Centre for Studies in Social Sciences, Calcutta

Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

Record No: 2006/ 11	Language of work: Assamese
Author (s) / Editor (s): Dinanath Saemah	
Title: আবাহন	
Transliterated Title: ~~Baaa~~ Ābāhana	
Translated Title: Monthly Magazine	
Place of Publication: Calcutta (kolkata)	Publisher: Editor.
Year: 1930 (1852 Saka)	Edition:
Size: 24 cms	Genre:
Volumes: Vol-2 (1930 [1852 Saka]) Vol-3 (1931 [1853 Saka]) Vol-4 (1932 [1854 Saka]) Vol-5 - (1933 [1855 Saka]) Vol-6 (1933 [1886 Saka])	Condition of the original: ~~Not bad~~. Brittle.
~~Remarks~~: Vol-7 (1933 [1887]) Vol 9 - (1936 [1888 Saka]) Vol-10 (1937 [1889 Saka]) Vol-11 (1938 [1890 Saka]) ~~Vol-32~~ (illegible) The magazine was first published in 1929 and continued for more than 40 years. Before 1950 upto Vol.11 are available here.	
Holding institute: Assam Sahitya Sabha, Jorhat	Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006.

Microfilm Roll No:	From gate:	To gate:

৩য় বছৰ, ২য় ভাগ 'আৱাহন'ৰ সূচীপত্ৰ

(১৮৫৪ শক, বহাগ—আহিন)

বিষয়	পিঠি
অঙ্কৰ ইতিহাস—	
শ্ৰীযুত দণ্ডীৰাম দত্ত	১১৯৫, ১২৮৭
অধিবেশনৰ সভাপতিৰ অভিভাষণ—	
শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা বি-এ	... ১০৮৫
অভিশাপ (গল্প)—	
শ্ৰীযুত মুনীন্ বৰকটকী	... ১০৬৫
অসমীয়াৰ বেহা-বেপাৰত অন্তৰায়—	
শ্ৰীযুত জ্ঞাননাথ বৰা বি-এল	... ৭৯৩
অসম বুৰঞ্জীৰ এক অধ্যায়—	
শ্ৰীযুত উপেন্দ্ৰ নাথ বৰুৱা	... ৯০৫
অসমীয়া ডেকাৰ অন্ন সংস্থা—	
শ্ৰীযুত মোহিনী কুমাৰ বৰুৱা এম, এ	... ৮৯২
অসমত উপন্যাসৰ সম্ভাৰ—	
শ্ৰীযুত ৰজনীকান্ত [illegible]	
অসম গৌৰৱ বা স্বৰ্গ[illegible]	
শ্ৰীযুত শৈলধৰ [illegible]	
অসম গৌৰৱ বা স্বৰ্গ[illegible]	
শ্ৰীযুত শৈলধৰ [illegible]	
[illegible]ৰে ধন্য সংসাৰে	
শ্ৰীযুত মহীচন্দ্ৰ [illegible]	
[illegible]ন ফকিৰৰ অ[illegible]	
শ্ৰীযুত ক্ষেত্ৰধৰ [illegible]	
[illegible]-বিৰতি (খ) [illegible]	
শ্ৰীযুত চিত্ৰ সো[illegible]	
[illegible]ৰাম লাইব্ৰে[illegible]	
[illegible]যুত উপেন্দ্ৰ [illegible]	

বিষয়	পিঠি
আমাৰ ভাষাৰ ওপৰত কবিৰ প্ৰভাৱ আৰু কাব্য—	
শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা	... ৮৬২
আমাৰ পুৰণি শিল্পকলা—	
শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী	...
আমাৰ জাতীয় চৈতন্য—	
শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য	
আশীৰ্ব্বাদ (গল্প)—	
শ্ৰীযুত [illegible]ন্দ্ৰকান্ত বৰকা[illegible]	
উদ্ধৃত ভাৰতত এভূমুকি	
উদাসীন—	
কুমাৰী দীপা[illegible]	
[illegible]	

৶০

বিষয়	পৃষ্ঠা
ক্রীকেটৰ কথা—	
শ্ৰীযুত যোগেন্দ্ৰ নাথ শইকীয়া বি-এছ-ছি	১২৬৯
থাখা খোইহীৰ সাধুকথা—	
শ্ৰীযুত বজনীকান্ত ববদলৈ ...	৭৭৩, ৮৬৫
গল্প—	
শ্ৰীযুত হলীৰাম ডেকা এম-এ, বি-এল ...	৮০৬
গান—	
অধ্যাপক শ্ৰীযুত সূর্য্যকুমাৰ ভূঞা ...	১৪০৪
গান্ধাৰ ভাস্কৰ্য্য ...	৭৮৯, ৮৯১, ১০৪৫
কথা আৰু সুৰ—শ্ৰীযুত মোহনলাল চৌধুৰী	
সুৰ চানেকি—শ্ৰীমতী বিষ্ণু প্ৰিয়া বাভা ঠাকুৰীয়া	৭৭০
শ্ৰীযুত উমেশচন্দ্ৰ চৌধুৰী বি-এল, ...	৯৬১
...	১২৬৯
...	৯৫৭
...	৮০৮

বিষয়	পৃষ্ঠা
তত্ত্বকথা—(১) (২) (৩)	৭৭৬, ১২২৯, ১৩৮৩,
শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা	
তুমি (কবিতা) ...	১৩২৮
শ্ৰীযুত যোগেন্দ্ৰনাথ ববদলৈ	
তেজপাত (গল্প) ...	৮৮৭
শ্ৰীযুত হবিনাথ শৰ্ম্মা ববদলৈ	
ত্ৰয়োদশ শতাব্দীৰ শিলৰ সাঁচে ...	১৪৪১
শ্ৰীযুত সৰ্ব্বেশ্বৰ কটকী	
দুইজনা মহাপুৰুষে প্ৰচাৰ কৰা ধৰ্ম্মতত্ত্ব— ...	১২২৯
শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা	
দো-ধাৰা—	১৪৫৬
শ্ৰীযুত ৰমা দাস	
নগাঁও জয়মতী উৎসৱৰ অভিভাষ— ...	৮১৬
শ্ৰীযুত হিতেশ্বৰ ববৰুৱা	
নৱবৰ্ষ (কবিতা) ...	৭৭২
শ্ৰীযুত যোগেন্দ্ৰনাথ ববদলৈ	
নাট্যজগতত ভূমিকা— ...	১৪৫৩
নটৰাজ	
নিৰঞ্জীকৰণ	১৩১৯
শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী বি-এ	
পৰাজয় (গল্প)	১২৮১
শ্ৰীযুত সিদ্ধিপতি শৰ্ম্মা	১৩২৯
...	১১৫৭
...	১৩০৪, ১৩৫৩, ১২৯৭
...	১৩৫৭
...	১৩৫৭
...	১৩৫

৫২৪৯/আ:
১০. ৫. ১৯

আৱাহন



লোকমান্য বালগঙ্গাধৰ তিলক

—"স্বৰাজ আমাৰ জন্মসিদ্ধ"—

লক্ষ্মীবিলাস প্ৰেস, লিমিটেড।

বিষয়	পিঠি
লুইতৰ বাণি (কবিতা)	
শ্ৰীযুত শৈলধৰ ৰাজখোৱা বি-এ, ...	৯৫৪
শান্তি (গল্প)	
শ্ৰীযুত অৰুণ ...	৭৮২
শিল্প আৰু সাহিত্য—	
শ্ৰীযুত সুৰেন্দ্ৰমোহন দাস এম-এ ...	১০৫৮
শিশুৰ আহাৰ—	
শ্ৰীযুত সন্তোষকুমাৰ চক্ৰৱৰ্ত্তী এম-বি, ...	১০৮৩, ১১৫৭, ১৩০৯
শেষ চিঠি (গল্প)	
শ্ৰীৰমা দাশ ...	১০০৫
ষোড়শী (কবিতা)	
শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা বি-এ ...	১২১৯
সংগ্ৰহ—	৮২৯, ১২২১, ১৩২৩
সম্পাদকীয়—	৮৫৩, ৯৮২, ১১০৪, ১২২২, ১৩৪২, ১৪৩৪
সমালোচনা	১৪৩৪, ৮৩০, ৯৮৭, ১১০৮, ১২২৮, ১৩৪৮
সাঁথৰ (গল্প)	
শ্ৰীবীণা বৰুৱা ...	৭৪৯
সুন্দৰ (কবিতা)	
শ্ৰীযুত দেৱকান্ত বৰুৱা ...	১৪৫২

বিষয়	পিঠি
সোদৰোপম ৺ দেৱেন্দ্ৰৰ বিয়োগত (কবিতা)	
মিত্ৰদেৱ ...	১০৮৪
'সোণৰ অসম' প্ৰবন্ধ বিষয়ে একাষাৰ—	
শ্ৰীযুত ক্ষেত্ৰধৰ গোঁহাঞি বি-এ ...	১৩৮৭
সৌন্দৰ্য্য পিয়াসী—	
শ্ৰীযুত শৈলধৰ ৰাজখোৱা ...	১৩৫৫
সৌৰজগত আৰু নক্ষত্ৰ বিলাকৰ উৎপত্তি—	
শ্ৰীযুত বংশীধৰ চৌধুৰী বি-এছ-ছি ...	৮২১
সংগ্ৰহ— ...	১৪৪৩
স্বৰ্গতত্ত্ব আৰু নৰকতত্ত্ব বা যাম্য লীলা—	
শ্ৰীযুত পদ্মেশ্বৰ গগৈ এম-এ, ...	৮৬৮, ১০১১, ১১৫২, ১৩১৪, ১৪৩৩
স্বৰলিপি—	
শ্ৰীযুত কমলানন্দ ভট্টাচাৰ্য্য ...	১১৫৮
স্বাস্থ্য সম্বন্ধে গুৰুত্বাষাৰমান কথা—	
ডাঃ মহানন্দ বৰুৱা সাহিত্যভূষণ ...	৯১৪
স্মৃতি-স্তম্ভ (গল্প)	
শ্ৰীযুত প্ৰবোধচন্দ্ৰ গোস্বামী ...	৮৪৬
স্মৃতি (গল্প)—	
শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী ...	১২৭১

অসমৰ কলাজ্ৱৰ

কথা শুনি গা কঁপি উঠে। প্ৰাণৰ দায়ত বহুতে ভাল বেয়া নাচায়। নজনা মানুহৰ কথা লৈ বাজে ঔষধ ব্যৱহাৰ কৰি শৰীৰ নষ্ট নকৰি—

দেৱেন্দ্ৰ বস

ব্যৱহাৰ কৰি পুনৰ্জীৱন লাভ কৰক। **সকলো জ্ৱৰতে ই ব্ৰহ্মাস্ত্ৰ।** মূল্য প্ৰতি বটল—॥০ ডজন ৫।০ ডাক মাছুল স্বকীয়া।

ধাতু দৌৰ্ব্বল্য আৰু পুৰুষত্বহীনতাত

ফোৰ্ছ

অতি উপকাৰী—একমাত্ৰ ফল দায়ক। মূল্য প্ৰতি কৌটা ২৲ টকা, ডাঃ মাঃ স্বকীয়া।

আমেৰিকাৰ ডাঃ মেজৰৰ আবিষ্কৃত ৫০ বছৰৰ পৰীক্ষিত—

ইলেক্‌ট্ৰো চার্শা পেৰিলা

সকলো ৰকমৰ ৰাত আৰু ৰক্ত দুষ্টিৰ একমাত্ৰ মহৌষধ। মূল্য প্ৰতি বটল ২৲ টকা, ডাঃ মাঃ স্বকীয়া। পাইকাৰী দৰ স্বকীয়া। সকলো ঠাইতে এজেণ্ট আৱশ্যক।

ক্লাইভ মেডিকেল হল, ১৭ নং ক্লাইভ ষ্ট্ৰীট—কলিকাতা।

১৩নং বৃন্দাবন মল্লিক লেন, কামৰূপ প্ৰেছত শ্ৰীঅপূৰ্ব্ব কুমাৰ ভূঞা দ্বাৰা মুদ্ৰিত, ডাঃ দীননাথ শৰ্ম্মা দ্বাৰা প্ৰকাশিত।

৫২৪৯/অ:



৩য় বছৰ ১ম সংখ্যা | আৰাহন | কাতি ১৮৫৩শক

অসমত ফিৰিঙি

—শ্ৰীযুত বেণুধৰ শৰ্ম্মা

অসমৰ যৌৱন কালত, পুৰে কোঁচবিহাৰক সীমা কৰি, তাৰ ভাটীফালৰপৰা যেয়ে আমাৰ দেশত প্ৰবেশ কৰিছিলহি সেয়ে বঙ্গাল বঙ্গাল লেতেৰা বঙ্গাল নাম পাইছিল। স্বাধীন ৰজাৰ স্বতন্ত্ৰৰীয়া আদেশ শিৰোধাৰ্য্য কৰি অসমীয়া বিষয়াই বঙ্গালকটাত এই বুলি টাৰচিলিঙি পুতি থৈছিলগৈ যে সেই সীমা পাৰ হৈ কোনো বঙ্গাল অসমৰ অভিমুখে ব্ৰহ্মপুত্ৰইদি উজাই যাব নোৱাৰে— যদি হে কিবা ৰজাঘৰীয়া কামত বা বাণ্য সম্পৰ্কে আলোচনা কৰিব লগীয়া কথাত কোনোবা বঙ্গাল অৰ্থাৎ বিদেশী আহিব লগীয়া হয়, তেন্তে সি কপিলী-কলঙেদি অসম দেশত সোমাবহি। তেতিয়া বিদেশী বুলিলে অসমীয়া মানুহৰ মানত লেই-লেই ছেই-ছেই। বঙ্গালৰ

বস্তু বেহা-কিনা কৰা মহাপাপ আৰু বঙ্গালৰ আৰ্হি অনুকৰণ কৰা অতি গৰ্হিত কাম। সেইদেখি এটি বঙ্গাল বা বিদেশী আহি অসমত থিত দিলেই গুৱাহাটী চহৰৰ বৰফুকনৰ টোলৰপৰা গড়গাওঁ নগৰৰ স্বৰ্গদেৱৰ চ'ৰালৈকে গোটেইখন তল ওপৰ লাগি গৈছিল। তাতে আকৌ অসম-ৰজাৰ অসমতন্ত্ৰত থিয় দি ডাঙৰ-দীঘল হোৱা অসমীয়া বিষয়াবিলাকৰ এইটো কথা বঢ়িয়াকৈ জনাজাত আছিল যে এইখন অসম দেশ; ইয়ালৈ সোমোৱা বিদেশী মাত্ৰৰেই অভিপ্ৰায় মন্দ।

ৰজাৰপৰা প্ৰজালৈকে সকলোৱে এনে ৰক্ষণশীল আত্মপ্ৰতিষ্ঠা ভাবৰ শিকলিডাল আঁটি আঁটি বান্ধি লব পৰা বাবেই সমগ্ৰ হিন্দুস্থান মহতিয়াই অনা বিজয়ী মোগলৰ ঠাট-কটককো অসমৰ দুৱাৰতে থমক খুৱাই ৰাখিব পাৰিছিল। অসম সকলোতে "অসম"—এই ভাবত ৰণচালি দি ফুৰিব পৰা বাবেই 'ডাকিনীৰ' দেশ বুলি সকলোৱে অসমলৈ ভয় কৰিছিল। বঙ্গাল বহিষ্কাৰনীতিৰ অনুশীলন আৰু অনুসৰণ কৰি অভ্যস্ত হ'বৈকা বাবেই ওলোটা বেদৰ তীক্ষ্ণতৰ তৰোৱালখনিও ইন্দ্ৰদত্ত হেংদানৰ আগত উফৰি গৈছিল।

অসমৰ এনে যৌৱন কালত অসম-বুৰঞ্জী-লিখকে কেতিয়াবা সমাজিকতো বাৰু ভাবিব পাৰিছিল নে যে সেই আত্মপ্ৰতিষ্ঠাৰ শিকলি ছিগি থান্‌বান্ হব, ৰণচালি দি ফুৰা জাতি এটাৰ দেশ এখন শ্মশানশালী হব, ইন্দ্ৰদত্ত হেংদানৰ ধ্বংস হব, বিদেশী বঙ্গালে টিঘিলঘিলাব আৰু জীৱন্ত গৰগাওঁ নগৰখনি যাদুঘৰৰ প্ৰতিমূৰ্ত্তিৰূপে "নিৰ্বাত নিষ্কম্প তৰুৰিব" জঠৰ লাগি পৰি থাকিব?

এতিয়া, কোঁচবিহাৰৰ সিফালৰ বঙ্গাল হে নেলাগে বঙ্গালৰো বঙ্গাল আও-বঙ্গাল ইংৰাজৰ অনুগ্ৰহত অসমৰ তৃণ-তৰু, জীৱ-জন্তুম সকলোটি হয় ভয়ত, নহয় কৃপা ভিক্ষাত থৰহৰি কম্পমান বা আঁঠু লোৱা।

তেতিয়া যীশুখ্ৰীষ্টৰ শক ১৬৩৯, যেতিয়া ফিৰিঙি বুলিলেই অসমীয়াই ফৰিং খেদা দিছিল। অসংখ্য বঙ্গাল সেনাৰ লগত অসম দেশ চাওঁ বুলি ক'ত এটা বগা বঙাল অৰ্থাৎ ফিৰিঙ্গি আহি ক'ত এটা শগুণ মাৰিছিল সিও আমাৰ চোৰাংচোৱা চেংৰাৰ তীক্ষ্ণ দৃষ্টিত পৰি স্বৰ্গদেৱৰ শৰণাপন্ন হব লগীয়া হৈছিল। তেতিয়া গুৱালকুচীৰ ওচৰৰ কোঁঠ এটিত আমাৰ আৰু বঙ্গাল অৰ্থাৎ মছলমান সেনাৰ মাজত থৈয়ানথৈয়া যুজ চলি আছিল।

"পাচে ফিৰিঙ্গী এটা গুৱালকুচী কোঠৰ পৰা আহি শগুনলৈ হিলৈ মাৰিলে। আমাৰ মানুহে হিলৈৰ শবদ শুনি খেদি গৈ ফিৰিঙ্গিটোক ধৰি আনিলে। পাচে সকলে ফিৰিঙ্গিটোক লাইফংজাঙ্গত কৈ (লাইফংজাঙৰ হাতত গতাই দি) ৰজাদেৱৰ ঠাইলৈ দি পঠালে।" কথিত আছে, এই ফিৰিঙ্গিটোক হেনো ৰজাৰ আদেশ মতে ডিঙ্গিত ডাকু লগাই যি বাটে আহিছিল সেই বাটেই গুচি যাবলৈ এৰি দিয়া হৈছিল।

ইং ১৬৬১ চনটো অসমৰ নিমিত্তে বিষম চন। মীৰজুমলাৰ সৈন্যই গড়গাওঁ নগৰখন লুৰি-পুৰি নিয়া বাবে জয়ধ্বজসিংহ মহাৰাজে হুক্‌হুক্ কৰে কান্দিব লগীয়া হৈছিল। তথাপি, তেওঁ স্বদেশৰ সন্মান ৰক্ষা হ'ক বুলি, গোলাঘৰৰ অপৰ্য্যাপ্ত ধন-সম্পত্তি আৰু ৰাজ্যৰ অগণিত প্ৰজা সমৰ্পণ কৰিও বিদেশীৰ ছায়া নগৰ-কিছিল। সৌভাগ্যৱান মীৰজুমলাৰ সেনাৰ লগতে আহি কেইজনমান ওলন্দাজ, আৰ্ম্মেনিয়ান, পৰ্টুগীজ আৰু ইংৰাজ নাবিকে অসমত ভৰি দি ৰজা-প্ৰজাৰ স্বদেশবাৎসল্য দেখি-শুনি কৈ গৈছিল, "কোনো মানুহ কেতিয়াও অসমলৈ আহিব নাপায়।" মোগল-সেনাৰ লগত অহা মণ্টপিলাৰৰ এজন বেজে কৈ গৈছে, "এই দেশৰ (অসমৰ) মানুহবোৰ বৰ কাঠচিতীয়া। আমি লকু (?) গড়-কাষৰীয়া গাৱঁত খাবলৈ আহাৰ বিচাৰিলত গঞা মানুহে আমাক চাউলৰ সলনি তুঁহ এগাল আৰু মাহৰ সলনি চোকোৰা এগাল দিছিল। বাধ্য হৈ আমি তাকে খাইছিলোঁ। এমাহমানৰ পিছতেই, আমাৰ মাজত গ্ৰহণী ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱাত বহুত সেনাৰ মৃত্যু হল! বিদেশীবোৰ এনেকৈ মৰা দেখি অসমীয়াইতে অতিশয় আনন্দ লাভ কৰিছিল।"

১৬৬১ শকৰ—খৃঃ ১৭৩৯—দিনকাম মাহত অৰ্থাৎ পুহ মাহত আমাৰ বুৰঞ্জীমতে তিনিজন আৰু গেইট-বুৰঞ্জীমতে চাৰিজন ফিৰিঙ্গি আহে অসম ৰজাৰ কাৰেঙলৈ। সেই ফিৰিঙি কেইজনৰ নাম যথাক্ৰমে বিল্, গুডৱিন, লিষ্টাৰ আৰু মিল্। আমাৰ বুৰঞ্জীয়ে তেওঁলোকৰ নামকৰণ কৰিছে গুদম্ বিল, দিস্তিৰ বিল আৰু মিষ্টিৰ বিল বুলি। গেইটে লেখা মিলৰ নামটো মিল্‌ছ অৰ্থাৎ কৰ্ণেল মিল্‌চ্ (Col. Milles) হে হব লাগে। লৰ্ড মেলকম্বৰ মতে কৰ্ণেল মিল্‌চৰ অধিনায়কত্বত এই কেইজন ফিৰিঙ্গি বা ছাহাবে অসম দেশত লোণৰ বেপাৰ কৰিবলৈ আহিছিল। লোণৰ বেপাৰেই যে সিবিলাকৰ মুখ্য উদ্দেশ্য আছিল এনে নহয়; সম্ভৱ হোৱা যেন দেখিলে, ৰাজনৈতিক দুৰ্ব্বলতাৰ ছেগত কামোৰ মাৰি ইষ্ট ইণ্ডিয়া কোম্পানীৰ জাল তৰিবৰো অভিপ্ৰায় আছিল। তেতিয়া কাছিম বজাৰত কোম্পানীৰ বেহা-বেপাৰ কৰা কুঠী আছিল। সেই কুঠীৰপৰা মিল্‌ছ চাহাবে কেইনাওমান বালিলোণ লৈ অসমত বেপাৰ কৰিবলৈ আহে। ইয়াত কেইবছৰমান বেপাৰ কৰি ফুৰোঁতে ৰাজধানীত বিদ্ৰোহ উপস্থিত হয়। বিদ্ৰোহ দমাবৰ নিমিত্তে ৰজাই মিল্‌ছলৈ সহায় খুজি পঠালে। বাকী কেইজন ছাহাবে সৈতে গোট খাই মিল্‌ছ ছাহাবে বিদ্ৰোহ থমালে। পুৰস্কাৰ স্বৰূপে ৰজাই মিল্‌ছক অবাধে লোণৰ বেপাৰ চলাবলৈ দিলে। "নিমখ চেলেকাই" অসম ৰজাক ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰতলগত কৰিবৰ মতলবেৰে মিল্‌ছ ছাহাবে গড়গাওঁ নগৰত এটি লোণৰ কুঠী পাতিবলৈ প্ৰস্তাৱ কৰি ৰজাত জনালে। ৰজাই কিন্তু "did not wish him to establish himself in his country" অৰ্থাৎ ৰজাই তেওঁক তাত থিতাপি লবলৈ নিদিলে।

সেই সময়ত আমাৰ ৰজা স্বৰ্গদেৱ শিৱসিংহ মহাৰজা। তেওঁ উল্লিখিত ছাহাব কেইজনক ৰাজ-কাৰেঙত কিৰূপে সমভিব্যৱহাৰ কৰিলে চাওক। ফিৰিঙ্গিহঁত অহাৰ বুজ পাই

"কাৰেঙৰ ভিতৰৰপৰা সৰ্গদেৱ বৰচৰাৰ মুখলৈ ওলাই আহিল। তাতে ফিৰিঙ্গি তিনটাই পাঁচ নুৰা বেজী, তামোলপাণেৰে ওপচাই দিয়া দুখান শৰাই আৰু দুখনি কম্বলেৰে মান ধৰি, ওলগ জনাই ভূমি ছুই দীঘল দি পৰি সৰ্গদেৱক সাত সেৱা কৰিলে।"

৺কমলেশ্বৰ সিংহৰ ৰাজত্বৰ কালত ফৰাচী বঙ্গাল চিভেলিয়াৰ, ডাক্তৰ এনচেল্‌মে আৰু মঁছিয়ৰ (Dr. Anselme & Monsieur Belart) আহে গৰগাওঁ নগৰ চাবলৈ। তেওঁবিলাক অহাৰ উদ্দেশ্য আছিল অসম দেশৰ এখন মানচিত্ৰ আঁকি নিয়া। দিখৌৰেদি উজাই আহি ৰংপুৰ পোৱা মাত্ৰে তেওঁবিলাকক ৰাজ-মন্ত্ৰীৰ আদেশমতে ৰাজ্যৰ বাৰ্জকৈ পঠিওৱা হল।

অসম ৰজাৰ বৈদেশিক সম্পৰ্ক-নীতি আলোচনা কৰিলে অসম-বুৰঞ্জীৰ মহিমাময় অধ্যায় দুটিমানে এই কেইটা কথা ফটফটীয়াকৈ বুজায় যে

(১) পোন-প্ৰথম অৱস্থাত অসমৰ ৰজা প্ৰজাই বিদেশীৰ নামত জুঁতো খেৰ এডাল নিদিছিল।

(২) বিদেশীৰ ঘন সঞ্চালন হলত, পৰাক্ৰমী বিদেশীৰ আগত সকলো ভৌতিক সম্পত্তি অৰ্পণ কৰিও অসমীয়াই সিহঁতৰ হাতত বিবেকৰ স্বাধীনতা বিক্ৰী নকৰিছিল।

(৩) যুগ-অনুসৰি পৰিৱৰ্ত্তন হোৱা ঘটনাৰ সোঁতত পৰিও স্বাধীন দেশৰ স্বাধীন ৰজাই পৰদেশী মানুহৰ আগত নিজৰ গৌৰৱ আৰু পৰাক্ৰম উপলব্ধি কৰাব পাৰিছিল।

অসম বুৰঞ্জীখন পুঙ্খানুপুঙ্খৰূপে যিমানেই কি আমি চন্দিয়াই-ফঁহিয়াই চাওঁ, সিমানেই আমি দেখিবলৈ পাওঁ যে বুৰঞ্জী নাম সৃষ্টি হোৱাৰেপৰা কি ৰজা কি প্ৰজা সকলোৱে বিদেশী মানুহক তেলপানী স্বৰূপে অসমৰ মাটিত খিলঞ্জীয়াকৈ বহিবলৈ নিদিছিল।

তেন্তে আজি অসমত কিয় বিদেশীৰ ইমান প্ৰভাৱ আৰু কেনেকৈয়ে বা সেই প্ৰভাৱ ইয়াত বিস্তাৰ হবলৈ পালে? এই এজোৰা প্ৰশ্নৰ উত্তৰ বুলিয়েই এই প্ৰবন্ধ যুগুত কৰি "আৱাহনৰ" ধীৰ পাঠকসকলৰ আগত দাঙ্গি ধৰা হৈছে।

বিদেশী সমাগমৰ প্ৰথম সুত্ৰপাত হয় স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত। তাৰ পূৰ্ব্বে যদিও হৈছিল, সি কাহা হৈ নহয়, ছায়া স্বৰূপে হে। প্ৰকৃতপক্ষে, গৌৰীনাথ সিংহৰ ৰাজত্ব কালত হে বিদেশীয়ে গোঁজেই ৰব পাছ হবলৈ লগ্নপ্ৰ এক্তিয়াৰ পালে। এক্তিয়াৰৰ মূল কাৰণ যকৰা কন্দল, ভায়ে-ভায়ে কটাকটি মৰামৰি, "মোৱামৰায়া বিদ্ৰোহ।" বিদ্ৰোহ তোলাৰ ওৰি যিয়েই হ'ক বিদ্ৰোহে কিন্তু আমাৰ দেশ জুকণা কৰিলে,—"মাৰামৰিয়ই লুৰি পুৰি কৰিলে ফাফৰ।"

সেই সময়ত প্ৰজাৰ অধিক অৱস্থা আৰু সাহপিতলৈ চালে এই.টা স্পষ্টকৈ সিদ্ধান্ত কৰিব পাৰি যে এই যকৰা কন্দলৰৰ বাই আমাৰ যিমান হানি হল মানৰ অত্যাচাৰতো সিমান হানি হবলৈ নেপালে। মোৱামৰীয়া বিদ্ৰোহে অসমৰ মাৰ্জকাৰ্সৰ জোৰা লবাই দিলে। জোৰা লবা কৰালেৰে মানৰ লগত যুঁজি, পৰাংৰ মানি বিদেশী বৃটীশৰ সাহায্য ভিক্ষা কৰাটো একো আচৰিত নহয়।

কলিকতাত এচিয়াটিক চচাইটি স্থাপিত হোৱাৰ পাছতে, প্ৰাচ্য ভাষাত লিখা মূল্যৱান পুথিবিলাক গৱৰ্ণমেণ্টৰ উদ্যোগত ইংৰাজী ভাষালৈ অনুবাদ কৰা হয়। ১৭৮০ খৃষ্টাব্দত হেনৰী ভেন্সিটার্ট নামে এজন ছাহাবে ফাৰ্ছী ভাষাত লিখা "আলমগিৰ নামা" পুথিখনিৰ ইংৰাজী তৰ্জ্জমা কৰে আৰু ১৭৮৯ চনত তেওঁৰ মৃত্যু হোৱৰ পিছত ১৭৯০ চনৰ এচিয়াটিক বিচাৰ্চত (Asiatic Researches) সেই অনূদিত 'আলমগিৰ নামা' খন প্ৰকাশিত হয়। সেই পুথিৰ "আচাম বৃত্তান্তত" লিখা আছিল—

"আচামৰ মানুহবোৰ বৰ নীচ, ইহঁতৰ কোনো ধৰাবদ্ধা নীতি নিয়ম বা কোনো ঈশ্বৰত বিশ্বাস নাই। সিহঁত কাৰো হুকুমৰ বা নিয়মৰ তলতীয়া নহয়; নিজৰ খুছি গলে যিহকে ইচ্ছা তাকে কৰে। নীচমনে যিহকে কৰে তাকে সিহঁতে ভাল বুলি ভাবে। + + ৰঙ্গদেশৰ ভাষাৰ লগত সিহঁতৰ ভাষাৰ অলপো মিল নাই। মুখৰ আকৃতি দেখিলেই মানুহবোৰৰ সাহসৰ কথা বাঢ়কাইকে বুজিব পাৰি। কিন্তু তাৰ লগে-লগে, চেহেৰাত মুকুলিওৱে, ভীষণ প্ৰকৃতি আৰু পাশৰিক স্বভাৱো দেখিবলৈ পোৱা যায়। কঠোৰ কাম কৰাত আৰু গাইগুটীয়া বলত ইহঁতক বহুত জাতিয়ে বলে নোৱাৰিব। ইহঁত চুমাংসিক, নিৰ্ভীক, অসভ্য, যুদ্ধপিপাসু, প্ৰতিশোধ লবলৈ সাজু, বিশ্বাসঘাতকী আৰু ব্ৰহ্মঠগী। ইহঁতৰ দয়া-ধৰ্ম্ম, মৰম-চেনেহ, বন্ধুত্ব-সম্বন্ধ, সত্য-সম্মান, বিশ্বাস-লাজ আৰু নৈতিক পবিত্ৰতা আদি একোটো নাই। ইহঁতৰ কঠোৰ হৃদি ক্ষেত্ৰত দয়া-মৰমৰ গুটি কষ্মিন্ কালেও পচোৱা হোৱা নাই। • • •

প্ৰায় ছয় সাত হেজাৰ অচমীয়া গাভোৰাবীয়ে ৰাজসৰ মুৰ্ত্তি ধৰি নিৰ্ভীক চিত্তেৰে অস্ত্ৰ-শস্ত্ৰ লৈ সাজু হৈ দিনে-ৰাতিয়ে ৰঙাৰ ওচৰত পৰবা দি থাকে। এইবোৰ ৰঙাৰ বিশ্বাসী সেনা। এই দেশৰ যুদ্ধ কৰা অস্ত্ৰ-শস্ত্ৰ হৈছে হিলৈ, তৰোৱাল, যাঠী আৰু বাঁহৰ ধেনুকীড়ু। অচমীয়াৰ গড় আৰু নাওবোৱতো ৰবতোপ, হিলৈ আৰু ৰামচাঙ্গী আছে। সেইবোৰ ব্যৱহাৰ কৰাত অচমীয়াইত বৰ কাজুৱা। • • •

এই ঘিণ লগা জাতিটোৰ এটাৰ আগত হতাহতিকৈ লাগিলে অন্য জাতিৰ চুটাও তিষ্ঠিব নোৱাৰিব।

"আচাম ৰজা বৰ অভিমানী। • • • অতি ক্ষমতাপন্ন পাৎশাহৰ ওচৰতো এই ৰজাই সেও হৈ কেতিয়াও মুৰ দোঁওৱা নাই নতুবা কোনো কৰ পঠাও শোধোৱা নাই। বৰঞ্চ, হিন্দুস্থান-অধিপতিৰ জগতজিনা সেনাৰ আক্ৰমণ ব্যৰ্থ কৰি জয়াশ্বৰ ওপৰত ৰাম টাঙ্গোন হে মাৰিছে। ইহঁতৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিলে যিবোৰ বাধাবিঘিনিয়ে জুমুৰি দি ধৰেহি, তাক অতিক্ৰম কৰিবলৈ গৈ জগতজয়ী বীৰবাকলেও উপায় চিন্তি ধৈৰ্য্য হেকৰাইছে। কোনো শত্ৰুসৈন্য দেশত সোমালে অচমীয়াবোৰে দুৰ্ভেদ্য গড়ৰ মাজত সোমাই লৈ ছল-চক্ৰান্ত কৰি, ভয় দেখুৱাই, চোৰাং আক্ৰমণ কৰি আক আহাৰৰ বাট বন্ধ কৰি সিবিলাকক পীড়িবলৈ ধৰে। এইবোৰ উপায় যদি অথলে যায়, তেন্তে যুদ্ধ নিদি সিহঁত পৰ্ব্বতলৈ পলাই যায় আৰু নিজৰ নিজৰ ঘৰ-বাৰী পুৰি খাগুং কৰে। বাৰিষা শত্ৰুছাউনীক বানপানীয়ে বেঢ়িলে ছেগ বুজি সিহঁত পৰ্ব্বতৰ পৰা নামি আহে, আহি পলাই যোৱাৰ পোতক তোলে। আৰু সিহঁতে এনেবৰে পীড়িবলৈ ধৰে যে মাঙল নাথল হৈ শত্ৰুসৈন্যবোৰ বন্দী হয়, নতুবা মৰণত শৰণ লয়। এইদৰে অংশবা সাহিয়াল পুৰুষ ধ্বংসৰ চাকনৈয়া পৰি চিৰকাললৈ চকু মুদিছে—এই প্ৰাণীও জীয়াই থকা নাই। • • হিন্দুস্থানৰ মানুহে আচাম দেশক ডাইনীৰ দেশ আৰু অচমীয়াবোৰক বাজীকৰ বুলি ভাবে। সেই দেখি হিন্দুস্থানীহতে মোহ আঁতৰোৱা মন্ত্ৰ মাতি সেই দেশৰ নাম লয়। সিহঁতে কয় বোলে আচাম দেশত ভবি দিলেই ডাকিনীয়ন্ত্ৰত ভোল পৰি কোনো মানুহ আৰু উদ্ধতি আহিব নোৱাৰে।

"যি দেশ বিস্তীৰ্ণ, সমৃদ্ধিশালী, দুৰ্ভেদ্য, আপদ বিপদেৰে পৰিপূৰ্ণ—য'ৰ আলি-দুলি বাধাবিঘিনিবে ভৰা—যি দেশক জয় কৰিবলৈ গলে অসংখ্য বিপদে জুমুৰি দি ধৰেহি—য'ৰ মানুহ বোৰৰ জ্ঞান নাই—যাৰ আচৰণ পাশৰিক, ব্যৱহাৰ দুৰ্জ্ঞান্ত—য'ৰ মানুহবোৰ দেখিলেই ভয় লাগে—মৰদাহসী, নিৰ্ভীক, বিশ্বাসঘাতকী আৰু সুসজ্জিত—য'ৰ অপৰূপ বণুৱাবোৰে বণ কৰিবলৈ উৎকণ্ঠিত হৈ থাকে—য'ৰ মানুহে আঁৱৰপৰা শত্ৰুক আক্ৰমণ কৰিব পাৰে—যি দেশৰ মানুহৰ আকাশ লঙা, সুৰক্ষিত, খোৱা সময়তে পৰিপূৰ্ণ কোঠ আছে—য'ত সাঁচি খোৱা খোৱা বস্তুবোৰ নি নি অস্ত্ৰ কৰিবলৈ হলে বহুত দিন লাগে—যি দেশৰ বাটবোৰত কাঁইটীয়া জোপোহা গছ ভৰি আছে (কোটোহা বাঁহ) আৰু বিশাল নদ-নদীয়ে হো-চো কৰিব লাগিছে, সেইখনি দেশ যে আল্লাৰ কৃপাত আৰু অংশে গুণসম্পন্ন পাৎশ্বাৰ প্ৰবল প্ৰতাপত মছলমান ধৈৰ্য্যৰ হাতলৈ আহিব আৰু তাত যে মছলমান-ধৰ্ম্মৰ বিজয়ধ্বজা পোতা হব, ভাবিলে সচাকৈয়ে স্তম্ভিত হব লাগে।"

মহম্মদ কাজিমে লিখা ওপৰক্ত পেটকে হাত ভৰি লুকুৱা অসমৰ অপুৰণাট বিষয়ণ পঢ়ি সেই সময়ৰ বাতৰি কাকতত এজন অজ্ঞাত ইংৰাজ ৰাজনীতিজ্ঞই লেখিছিল—

"ৰাজনৈতিক অৱস্থাৰ পাকচক্ৰ আৰু সুবিধাৰ ছিদ্ৰ চাই অসম দেশ অধিকাৰ কৰিবলৈ যত্ন কৰিলে, এনেয়ে অসম-আক্ৰমণৰ অভিপ্ৰায় কৰি সৈন্য চলাব লাগিলে অভিসাৰৰ বিফলতা অনিবাৰ্য্য।" মোগল পাৎশাহসকলৰ দৌলায়মান ঐশ্বৰ্য্য, ৰাজ্য বিস্তৃতি আৰু অপৰাজেয় বীৰত্ব ভাঙি চিঙি চুৰমাৰ কৰি ইংলণ্ডৰ বণিক সম্প্ৰদায়ে যি ৰাজনৈতিক কাণ্ডটিৰ বলেৰে হিন্দুস্থানৰ দেশৰ পিছত দেশ, প্ৰদেশৰ পিছত প্ৰদেশ হস্তগত কৰিলে সেই সেই কুটনীতিকে অসমতো প্ৰয়োগ কৰিবলৈ ধৰিলে। সেই ৰাজনীতিয়েই কূট ৰাজনীতি যাক প্ৰয়োগ কৰি এক পক্ষই অপৰ পক্ষক চুৰা দিব পাৰে। এটা শক্তিয়ে আন এটা শক্তিক চুৰা দি আপোনাৰ অধীনলৈ শক্তিটোৰ প্ৰত্যেক মগজু থকা ব্যক্তিয়েই আপোন-আপোন শক্তি অনুযায়ী চিন্তা কৰা উচিত। ভাৰ্ত্তীয় জাতিৰ প্ৰত্যেকজন চিন্তাশীল লুকইই চিন্তা নকৰা হলে এণ্টোৰাৰ্প নগৰ উদাহ দিবলৈ ৪০ বছৰৰ আগবেপৰা আয়োজন নকৰিলেহেঁতেন। নন্দকুমাৰ বিশ্বাসঘাতকী, তথাপি তেওঁক হাতত লৈ মীৰকাফৰৰ হাতভাৰ কোঙা কৰিবলৈ বৃটীছ বাজশক্তিৰ ওবিদালসকলৰপৰা আৱশ্য কৰি সামান্য বণিয়া ইংৰাজ এজনলৈকে অবিৰাম চেষ্টা নচলিলহেঁতেন। চুৰা দিয়াহে হৈছে বৃটীছ বাজনীতিৰ প্ৰথম প্ৰতিপাদ্য। এই প্ৰতিপাদ্যকে ধৰিলা লৈ খৃষ্টীয় ওঠৰ শ শতাব্দীৰ শেষৰ কুৰি বছৰত হিন্দুস্থানত বিয়ৰণ কৰা বৃটীছ বণিয়াসকলে এটা চকু ধনে সোণে সমৃদ্ধিশালী অসম দেশলৈ সদাই খিয়কৈ থৈছিল। অসম দেশত বৈদেশিক নীতি ঘৃণাক্ষৰেও স্খলন হবলৈ দিয়া নহৈছিল, ৰুৰঞ্জীৰ পাতটিইতেও বঙা-প্ৰজা সকলোকে সেই নীতি অবলম্বন কৰিবলৈ সোৱৰাই আছিল। কিন্তু কি হব? ধৰণে ধৰণে দিনক জ্ঞানবৃদ্ধি সকলো হত হয়। আপদ কালত ঔষধে গল খজুৱায়। পাৰিপাৰ্শ্বিক অৱস্থাৰ বাধানিবোৱে যিমানেই কি আঁটি আঁটি বন্ধা নহক, হেলেকলেক্ চৈ সুলকি যায়। এতিয়া গৌৰীনাথ সিংহ মহাৰজাৰ কপালতো সেয়ে ঘটিল। যকৰা কন্দল—মোৱামৰীয়া

বিদ্ৰোহেই বুৰঞ্জীজ্ঞানৰ পোহৰখিনি ৰাহু হৈ গ্ৰাস কৰিলেহি, কটকটীয়া বৈদেশিক নীতি কৰবালৈ উফৰি গল; অইন কি নিজৰ সিংহাসনেই থৰক-বৰক হবলৈ ধৰিলে। সিপিনে "আসাম লম" "আসাম লম" বুলি আশা পালি ভাবি-গুণি থকা বৃটীছ বণিয়াসকলক এই অন্তৰ বিদ্ৰোহে সুবৰ্ণ সুযোগ উলিয়াই দিলে। "যাৰ পিনে বৃহস্পতি পোন, তাৰ পিনে নবয় কোন?" ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্ত্তৃপক্ষসকলে ৰাজ্য গ্ৰাস কৰা নীতি অৱলম্বন কৰা নাছিল যদিও, ওচৰ-চুবুৰীয়া ৰাজ্যৰ অধিপতিসকলক বিপদত উত্ৰাণ কৰি বেহাবেপাৰৰ বাট উলিয়াই লোৱা নীতি হলে দেখা-শুনাকৈ চলাই আছিল। মোৱামৰীয়া বিদ্ৰোহত ঠাৱৰিব নোৱাৰি আমাৰ স্বৰ্গদেৱৰ প্ৰতিনিধি গৈ যেতিয়া লৰ্ড কৰ্ণৱালিছৰ তাত শৰণে পশিলগৈ, তেতিয়া তেওঁ আনন্দ মনেৰে ৱালিছ ছাহাবক সৈন্যসামন্ত দি অসমলৈ পঠিয়াই দিলে। উদ্দেশ্য—মোৱামৰীয়া বিভ্ৰাটত নাজল-নাথল হোৱা ৰজা আৰু প্ৰজাক থানথিত লগাই থাপি থোৱা। সঁচাসঁচিকৈয়ে ৱেল্‌ছ্ ছাহাবৰ লগত অহা নিচেই তাকৰ "ৰঙ্গাটুনী" বিলাকে (মোৱামৰীয় বিদ্ৰোহত যোগ দিয়া সকলে গোড়া চিপাহীক ৰঙ্গাটুনী বুলিছিল) ৰজাক থাপি থৈ গল আৰু প্ৰজাৰ মাজত শান্তিও সৃষ্টি কৰি গল। কিন্তু এনে এটা গুৰুতৰ অভিযান এনেই যাব নে? বেপাৰী বৃটনক তো এটা সুবিধা লাগে! সেইবাবে ৱেল্‌ছ্ ছাহাবে অসম ৰাজ্যৰ আভ্যন্তৰিণ অৱস্থা বিশদ-ৰূপে বুজি স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ লগত বাণিজ্যৰ সুবিধাৰ্থে এখনি লেখা কৰি সন্ধি কৰিলে। বিপদত পৰি ত্ৰাহি ত্ৰাহি কৰ গৌৰীনাথ সিংহয়ো ক'ৰবাত পাৰ পাওঁ বুলি স্বইচ্ছাত এই বুলি সন্ধিৰ নিৰ্ব্বন্ধ বান্ধিলে—

"বৃটীছ গৱৰ্ণমেণ্টে সাহায্য কৰি যি উপকাৰ কৰিলে তাৰ বাবে উপকৃত হৈ মহাৰজা স্বৰ্গদেৱ গৌৰীনাথ সিংহই সেই গৱৰ্ণমেণ্ট আৰু তেওঁৰ ভিতৰত প্ৰীতি-সদ্ভাৱ স্থাপন হ'ক বুলি আৰু অসম-বঙ্গদেশৰ প্ৰজাৰ মাজত তাৰ সুফল বিস্তাৰ হ'ক বুলি, বৃটীছ গৱৰ্ণমেণ্টৰ প্ৰতিনিধি কেপ্টেইন্ ৱেল্‌ছৰ পৰামৰ্শ অনুযায়ী, এতিয়ালৈকে চলাই থকা বাণিজ্যৰ অসঙ্গত নিয়মবোৰ উঠাই দিবলৈ সন্মতি জ্ঞাপন কৰে। আৰু দুয়ো দেশৰ প্ৰজাৰ সুবিধা আৰু উপকাৰৰ অৰ্থে, সময় বুজি, এই ব্যৱস্থাৰ সালসলনি বা সংশোধনী কৰিব পৰাকৈ তলত লিখা নিৰ্ব্বন্ধবিলাক গ্ৰহণ কৰে।

১ম—অসম-বঙ্গৰ প্ৰজাবিলাকে তলত লিখা নিয়ম মতে আজিৰপৰা অবাধে সকলো প্ৰকাৰ বস্তুৰ বেহা বেপাৰ কৰিব পাৰিব।

২য়—আজিৰপৰা বঙ্গদেশৰ যেই সেই বেপাৰীয়েই অসমৰ যেই-সেই ঠাইত তেওঁৰ ইচ্ছামতে বেপেৰুৱা বস্তু বিক্ৰী কৰিব পাৰিব আৰু অসমৰ যলৈকে তলৈকে সেই বস্তুবোৰ নাৱত ভৰাই নিব পাৰিব। সেইবোৰৰ ওপৰত এই নিৰ্ব্বন্ধত নবন্ধা অইন কোনো প্ৰকাৰৰ কাটল লগাব পৰা নহব।

৩য়—বেহাবেপাৰৰ সকলো আমদানী ৰপ্তানি বস্তুৰ ওপৰত তলত লিখামতে কাটল (Duties) ধাৰ্য্য কৰা হল—

আমদানী—অন্য ঠাইৰপৰা অনা বস্তু

ক। ৮৪ তোলীয়া সেৰৰ ১০০ মোণ লোণত সাধাৰণতে ৪০০৲ টকাকৈ বেচ ধৰি সেই বেচৰ ওপৰত শতকৰা ১০৲ টকাকৈ কাটল লগোৱা হব।

খ। যুৰুপৰ নয়নচুক, বঙ্গদেশৰ তাৱৰ কাপোৰ, গালিছা, তাম, সীহ, বগীটীন, তুলানাগ, মুকুতা, লোৰ বস্তু, অলঙ্কাৰ, সুগন্ধি মছলা আৰু অসমলৈ অহা অন্যান্য বস্তুৰ ওপৰত সমানে শতকৰা ১০৲ টকাকৈ কাটল ধাৰ্য্য কৰা হল।

গ। যুদ্ধৰ সঁজুলি আৰু ৰছদপাতি আমদানি কৰা নিষেধ—কেনেবাকৈ সেইবোৰ অনা পালে তৎক্ষণাৎ বাজেয়াপ্ত কৰা হব। কিন্তু অসমত থকা কোম্পানীৰ সৈন্যৰ নিমিত্তে অনা এই যুদ্ধৰ আহিলা-পাতিবোৰৰ ওপৰত কোনো প্ৰকাৰৰ কাটল লগাব পৰা নহব।

ৰপ্তানী—বিদেশলৈ পঠিওৱা

ক। বিদেশলৈ পঠিওৱা প্ৰত্যেক বস্তুৰ মূল বেচৰ ওপৰত শতকৰা দহটকাকৈ কাটল বহুৱা হব। এই অনুপাতে বস্তুৰ মূল্য ধৰা হৈছে—

মুগাচুৰিয়া—মোণে (সেৰত ৮৪ তোলা হিঃ)

		৯৫৲ টকা
মুগাসূতা	.....	৭০৲ টকা
জলকীয়া	.....	০
হাতীদাঁত	.....	৫০৲ "
কটা লা	.....	৪৲ "
চপৰা আৰু সুৰী লা	.....	৩৷৷০ "
মঞ্জিষ্ঠা	.....	৪৲ "
কপাহ	.....	০০০

খ। যিবোৰ বস্তুৰ কোনো পৰিমাণ জুখিব নোৱাৰি বা মূল্য ধাৰ্য্য কৰিব নোৱাৰি সেইবোৰ বস্তুৰ ওপৰতো খৰচ বাদে প্ৰকৃত মূল্যত শতকৰা ওপৰত কোৱা নিৰিখেই কাটল লাগিব। কাটলুৱা ধনৰ সলনি বস্তুও সলাব পাৰিব। কিন্তু, বঙ্গ কিম্বা অসম দেশত আকাল হলে ধান চাউলৰ ওপৰত কাটল লগোৱা নহব। কোনোবাই স্বৰ্গদেৱক কাটলৰ ধন নিদি প্ৰবঞ্চনা কৰিলে তাৰ সকলো সম্পত্তি বাজেয়াপ্ত কৰা হব, তাক বেপাৰ-বাণিজ্য কৰিবলৈ দিয়া নহব।

৪ৰ্থ—কাটলুৱা ধন সংগ্ৰহ কৰিবৰ নিমিত্তে গুৱাহাটী আৰু কান্দাহাৰত দুখন চকী বা হাট থাকিব—তাত কেইজনমান দুৱৰীয়া বিষয়া (এজেণ্ট) থাকিব।

৫ম—কান্দাহাৰ চকীত থকা এজেণ্ট বা দুৱৰীয়া কেইজনে গুৱাহাটীৰপৰা পশ্চিমে উৎপন্ন হোৱা বস্তু আৰু তাৰপৰা ভাটীলৈ যোৱা আৰু ভাটীৰপৰা তালৈ অহা বস্তুৰ কাটল সংগ্ৰহ কৰিব। সেই কাটলুৱা ধনৰ নিমিত্তে দুৱৰীয়া বিষয়া কেইজন সম্পূৰ্ণ দায়ী থাকিব। তেওঁবিলাকে উজোৱা-ভটীওৱা আটাই নাও পৰীক্ষা কৰি নাৱৰ মালিকে সৈতে কাটল সম্বন্ধে পকাপকি বন্দৱস্ত কৰি নাৱত যোৱা প্ৰত্যেক বস্তুৰ পৰিমাণ আৰু সংখ্যাৰ নিমিত্তে একোখনি 'পাছ' বা অনুমতি পত্ৰ দিব। সেই অনুমতি পত্ৰৰে নকল এখন তৎক্ষণাৎ গুৱাহাটীৰ এজেণ্টলৈ পঠাব। গুৱাহাটীত পত্ৰ দেখুৱাই মুদৈবিলাক আৱশ্যক হলে উজাই যাব পাৰিব।

৬ষ্ঠ—গুৱাহাটীত থকা এজেণ্ট কেইজন গুৱাহাটীৰ উত্তৰে-দক্ষিণে আৰু পূবে নগাওঁলৈকে উৎপন্ন হোৱা যিবোৰ বস্তু ৰপ্তানী কৰা হয় তাৰ কাটল সংগ্ৰহ কৰিবৰ নিমিত্তে দায়ী থাকিব। গুৱাহাটীতে ভটীয়নী নাৱত যোৱা বস্তুবোৰৰ বাবে এখনি অনুমতি পত্ৰ দিয়া হব। সেই পত্ৰৰে নকল এখন তাৰ এজেণ্টে কান্দাহাৰ চকীলৈ পঠাব। কান্দাহাৰ চকীত আকৌ নাওবোৰ পালেগৈ, এজেণ্টবিলাকে তৎক্ষণাৎ তাৰ মাল পৰীক্ষা কৰিব। কিয়নো, যাওঁতে গুৱাহাটীৰ-পৰা কান্দাহাৰ চকীলৈকে এইডোখৰ বাটত মুদৈবিলাকে নতুনকৈ মাল ভৰাব পাৰে।

৭ম—এজেণ্টবিলাকক কাম কৰিবলৈ উদ্গণি দিবৰ নিমিত্তে আদায় হোৱা কাটলুৱা ধনৰপৰা শতকৰা ১২৲ হিঃ পুৰস্কাৰ দিয়া হব।

৮ম—এজেণ্টবিলাকৰ ভিতৰত ইজনেই সিজনৰ জামিন হব। আৰু সমজুৱাকৈ কেউজন এজেণ্টে স্বৰ্গদেৱৰ কাষত সংগ্ৰহ কৰা ধন নেখাওঁ বুলি আৰু কোনো বেপাৰত সোঁপাকে বা আওপাকে লিপ্ত নেথাকো বুলি লিখি দিব লগিব।

৯ম—প্ৰতি মাহৰ ১০ তাৰিখে হিচাপ দাখিল কৰিব লাগিব। আৰু সংগ্ৰহ কৰা ধনখিনি স্বৰ্গদেৱৰ মনোনীত সঁজাতিৰ হাতত সপ্তাহৰ অন্ততে দিব লাগিব।

১০ম—জোখৰ নিৰিখ হব ৮৪ তোলাই এসেৰ আৰু ৪০ সেৰে এমোণ।

১১শ—দুয়োফালে ৰাজনৈতিক বেমেজালিৰ আশঙ্কা থকা গুণে কি বঙালী, কি ইংৰাজ সদাগৰ, কি বিদেশী ভ্ৰমণকাৰী কাকো গৱৰ্ণমেণ্ট আৰু স্বৰ্গদেৱৰ

বিনা অনুবর্তিত অসমত বাস কবিবলৈ দিয়া নহব।

১২শ—ইমান দিনে চলন্তি হৈ থকা বেহাবেপাবৰ নিয়েধাজা যে স্বর্গদেউৰে আজি বহু কবিলে সেইবাবে ইংলিছ গৱর্ণমেণ্টৰ প্রতিনিধি কেপ্টেইন বেলছ ছাহাবে অসমৰ প্রতিষ্ঠিত আইন ভঙ্গকাবী বঙালীবিলাকক আৰু এই চুক্তিভঙ্গকাবীক দণ্ড বিধিবলৈ সম্মত হৈছে। সেই চুক্তি অনুৰূপে কেৱে যদি ভঙ্গ কবি পৰস্পৰৰ ভিতৰত স্থাপিত হোৱা প্রীতিভাবত অপঘাট কবে তেন্তে তাকো স্বর্গদেউৰে যথোপযুক্ত শাস্তি দিব লগিব।

এই সন্ধিপত্রৰ নকল একোটা এনেভাবে সকলোবে দেখা ঠাইত আঁবি থব লাগিব যাতে কোনেও ইয়াৰ বিষয়ে আনৈ মাতিবে নোহাবে অৰু কেপ্টেইনৰ বেলছক অনুবোধ কবা হল তেওঁ যেন ইয়াৰ নকল এটা ইংলিছ গৱর্ণমেণ্টলৈ পঠিয়াই দিয়ে।

চহী স্বর্গদেৱ মহাবজা
টমাছ বেলছ, কেপ্টেইন। গৌবীনাথ সিংহৰ
চাবমোহৰ।"

এই সন্ধিপত্রখনাই স্বর্গদেৱ মহাবজাৰ উপদ্রবভয়ৰ মুখ মবিল হয়, কিন্তু চান্দ সদাগবৰ মেবঘবৰ নিচিনা বিৰ ট স্বত্ত্বাভিমানৰ বহ ঘবটোৰ কুদ্রাক্ষ জলা হলে নমবিল। সেই ভলাইদি বাণিজ্যৰ নাম লৈ বঙ্গাল বণিকবিলাকে অসম বাজ্যত হো-হো-কবে বিদেশী সমাগমৰ সোঁত বোৱাই পঠিয়ালে। পূর্ব্বে অসমত কানি আছিল যদিও, বববিহ হৈ অসমীয়াৰ সাহপিত, উৎসাহ উদ্যম পুলিপোথা খানিব নোৱাবিছিল। বেলছৰ অভিযান আৰু এই সন্ধিপত্রৰ বলত বেবতলাত আৰু গছে অসমীয়াৰ আলু কলাপুলিয়ে নৈতে খানিবনৈ ভালকৈ শিপাই ললে। ডুখবীয়া লোবৰ ঠাইত বালিলোণ সোমালহি। মুগা মেজাৰ্ত্বী, থাকৰা কাপোবৰ ঠাইত নয়-চুক, চিট কাপোৰ, তাৰৰ কাপোৰে অসমীয়াৰ গা ঢাকি পেলালেহি। আমাৰ ওচৰ চুবুৰীয়া অঙ্গী ভাই নগাচিংফো বিলাকক লোণ কানি চেলেকাই ববী কবাৰ দৰে বুটীছৰ বাণিজ্য নীতিয়ে আমাকো আমাৰ আশ্রিত পাহাৰীই পেলোৱালে। সন্ধিপত্রখন বিশৰূপে বিশ্লেষণ কবি চালে এইটো কথা স্পষ্টকৈ ওলাই পবে যে বুটীছৰ স্বার্থত চিকুট মাৰিব পবা কোনো এটা চুকিয়েই তাত নাই। বিদেশী পর্য্যটককো অসমত থাকিবলৈ দিয়া নহয়, কিন্তু কোম্পানীৰ ফৌজ হলে থাকিব। বিদেশৰ পবা বিনাকবে অসমলৈ আয়ুধ-অস্ত্র আনিব নোৱাবে, কিন্তু কোম্পানীৰ ফৌজক হলে বিনা কাটনতে সেইবোৰ যোগাব লাগিব।

এই সন্ধিপত্রখনত যি ছিদ্র থাকি গল সি যে আমাৰ কিমান হানি কবিলে তাক ভাবিলেই মুৰ ঘুবি যায়। আমাৰ আর্থিক অবস্থাত ই বামডাঙোন বহুৱালে; বুদ্ধি-সদ্ধি, উৎসাহ-উদ্যম লোপা দিলে। বাজেশ্বৰ সিংহ স্বর্গদেৱৰ দিনত যি আমীয়াই ৫০ মাইল দুবৈলৈকে গুলী মাবিব পবা ববতোপ সাজিব পাবিছিল, সেই অসমীয়াই এতিয়া বঙ্গালহাটে থকা হাবিবাচকাত থকা যুকলীয় সদাগবৰ পবা হাতনবীয়া হিচৰ কিনিবেই সন্তুষ্ট থাকিল। সন্ধিৰ আগলেবা গুৱালপাৰ-সুধীয়োপাত থাকি কবিবাৰ কবা যি মিঠাৰ বহ ছাহাবক বহ কথা মতা বাবে অসমীয়াই কাটি টুকুবা-টুকুবা কবিছিল সেই ছাহাবৰে জাতি ভাই অঙ্গক ছাহাবক দেখি এতিয়া অসমীয়াই স্তুতিবন্দনা কবিবলৈ ধবিলে,—

"পৃথিবীত যত লোক আছয় মহন্ত
সাহাবক তাবা সবে সদা বখানন্ত।
আনকো শিখাবে নীতি বিদ্যা যত যত
বণকো জানন্ত মহা মহন্ত পণ্ডিত॥
দুষ্টক মাবন্ত নিতে সন্তক বাখন্ত
দবিদ্রক ধন দিয়া মনক পুবন্ত॥"

কানি বববিহ আৰু বিদেশী মোহৰ প্রভাবত পবি অসমীয়াৰ উদ্ভেজনা শক্তি বহিত হল। বিদেশী বেপাৰীয়ে অনুগ্রহকৈ হাতে ঢুকি পোৱাতে যোগাই দিয়া বাবে "শোকোতা দি মুকুতা পৈছোঁ" যেন ভাবি অসমীয়াই সকলো বস্তুবে আজ্ঞন কমাই আনিবলৈ ধবিলে। "দেশত

দ্রব্য বস্তু মহঙ্গা হল। সামুদ্রিক লোণ, বঙ্গাল দেশৰ কাপৰ লোৱা বাবহাৰ চলিবলৈ ধবিলে। তথাপি ধান্য প্রতি টকাই ১৬।২০ পুৱা, লোণ এটকাত ১০, টকা, মুগা সূতা ৩।৪ টকা, পাট সূতা ৪।৫ টকা, কপাহী সূতা এবি সূতাৰ সেবে ৮০।১২, টকা, মাহ পুবাত ৵০ অনা, সবিহৰ ৵০ অনা, মতামহ ১০, টাইকী মহ ঘীবতৈ ২০।২৪ টকা, ডিব ১২।১৯, গাই ৩, ৪, টকা বলদ ৪।৫, টকা, গুণা ১৮০।২০, " পাছলৈ এই মূল্য ক্রমায় বৃদ্ধি হবলৈ ধবিলে। অসমৰ লোণ চুচি বিদেশী বঙ্গালে লৈ গল, তথাপি অসমীয়াৰ গমেই মহল এয়ে বাষ্ট্রবিপ্লবৰ পবিণতি।

সন্ধি হোৱাৰ পিছতে, বুটীছ গৱর্ণমেণ্টে দেশীয় বাজ্যত হস্তক্ষেপ নকবা নীতি অবলম্বন কবিলে। কিন্তু সেই নীতি কেতিয়াও চিবস্থায়ী হব নোৱাবে; কাবণ, বাজনীতি মাত্রেই সময় আৰু সুবিধা সাপেক্ষ। কোম্পানীয়ে দেশখন হস্তগত কবা নাছিল যদিও, উড্, হেমিল্টন্, চেছুন আদি চাহাবে অসমৰ মানচিত্র, বাজনৈতিক অৱস্থা আৰু আর্থিক সমৃদ্ধি সম্বন্ধে অসম দেশখন একপ্রকাৰ হস্তগত কবি লৈছিলেই। শোহাই শোহাই ভাবতবাসীৰ তেজ চুচিব পবা নীতিত অভ্যস্ত কোম্পানীব কর্ম্মচাবীবিলাকে "দেশীয় বাজ্যত হস্তক্ষেপ নকবা নীতিবে" আদুবা ভাবি, সম্পূর্ণকপে অসমদেশ অধিকাব কবিবলৈ ২৫ বছবলৈকে বাট চালে। চবা শতাব্দীৰ মুবত আকৌ ভাগ্যবান বুটীছৰ কপালত পচম ফুল ফুলিল। মানব অত্যাচাবত আমাৰ দেশ উদাস্ত হল। আকৌ অসমে বুটীছৰ সাহায্য ভিক্ষা কবিবলৈ বাধ্য হল। এই বেলি সি সাহায্য নহয়; বহুত দিনবপবা সাঁচি থোৱা আশা-অভিলাষ পুবাবলৈ দৃঢ়তৰ মুঠীবে হেঁচা মাবি ধবা দেখাদেখি থামোছা। কাছাড়ৰ সীমাত মানবিলাকে হাত দিয়াত পববাজ্যত হস্তক্ষেপ নকবা নীতি কবিবলৈ উবি গল। ইংবাজে মবম কবি অসম বঞ্জাক এই বিপদ্‌কালত সহায় কবিবলৈ কৈকালত টঙ্গালি বান্ধি আগ বাঢ়ি আহিল, আৰু তেওঁবিলাকৰ উদ্ভোগতে ১৮২৪ চনৰ এপ্রিল মাহত এই ইস্তাহাবখনি অসমীয়া প্রজাৰ মাজত প্রচাবিত হল—

"হে আমাদেশীয় প্রজাবা, তোমবা উত্তমৰূপে জ্ঞাত আছ যে কয়েক বৎসৰাবধি ব্রহ্মদেশীয়েবা তোমাবদেৰ দেশে উপদ্রব কবিতেছে এবং তাহাবদেৰ অধিকাৰ কালাবধি তোমাবদেৰ বাজাকে সিংহাসনচ্যুত কবিয়াছে, ও দেশে লুঠ কবিয়া অনেক ব্রহ্মহত্যা ও গোহত্যা ও স্ত্রীহত্যা কবিয়াছে, এবং নানাপ্রকাৰ অবক্তব্য দৌবাত্ম্য ও কুব্যবহাৰ কবিয়াছে, তাহাতে তোমাবদেৰ দেশীয় অনেক লোক ভাবপ্রস্থ হইয়া আমাবদেৰ শবণাপন্ন হইয়া সেই সেই স্থান হইতে সৰ্ব্বদা আমাবদেৰ সহায়তা অপেক্ষা কবিতেছে। সে যে হউক যে দুখেতে তোমবা দুখিত ছিলা সে দুখ দেখিয়া আমবা বব কাতৰ ছিলাম, কিন্তু ঐ সময় আবাব বাজাৰ সহিত আমাবদেৰ মিত্রতা ছিল, তৎপ্রযুক্ত আমবা ঐ বিষয়ে হাত দিতে পাবি নাই। সম্প্রতি ব্রহ্মবাজ্যেৰ অধীক্ষেবা আমাবদেৰ অধিকাবস্থ কাছাড়ত আক্রমণ কবাতে ও ঐ স্থানে আব আব দৌবাত্ম্য কবাতে ও নানাপ্রকাৰ অহঙ্কাৰ ও শত্রুবৎ বাক্য কথনেতে অবশেষে আমবা যুদ্ধে প্রবৃত্ত হইয়াছি। এবং তোমাবদেৰ অপেক্ষিত সময় অর্থাৎ যাহাতে তোমবা আপনাবদেৰ অন্যায়কাৰকদেৰ হাত হইতে মুক্ত হইতে পাব এমত সময় এই উপস্থিত হইয়াছে। যেহেতুক আমাবদেৰ জয়ি সৈন্য সিমা না উল্লঙ্ঘন কবিয়াছে এবং ঐ অসভ্য সৈন্যেবদিগকে ব্রহ্মকুণ্ডৰ ওদিকে তাবিয়ে দিয়াছে, এবং যে পর্য্যন্ত তোমাবদেৰ এই উপদ্রব দেশে শান্তি ও নির্ভীতা না হয় সে পর্য্যন্ত আমবা নিশ্চন্ত হইব না। অতএব বর্ত্তমান ও ভবিষ্যৎ কালেব নিমিত্তে নির্ভয় হইয়া তোমবা অগ্রসব হও। এবং আমাবদেৰ সৈন্যেৰ আহাবীয় দ্রব্য যোগাও, তাহাব মূল্য নগদ দেওয়া যাইবে। এবং যাহাবা তোমাবদিগকে এত ক্লেশ দিয়াছে তোমবা সময় পাইলে তাহাবদেৰ প্রতিহিংসা কবিতে ছাবিও না। তোমাবদেৰ বাজ্য জয়কবণ পিপাসাতে আমবা আইলাম না। কিন্তু আপনাবদেৰ বক্ষার্থে ভাবাক্রান্ত হইয়া শত্রুবদেৰ নাশার্থ আসিয়াছি যাহাতে তাহাবা আমাবদেৰ উপৰ আব দৌবাত্ম্য না কবে। অতএব তোমবা নিরুদ্বেগে থাক, আমাবদেৰ শত্রুদিগকে যে পর্য্যন্ত নিঃশেষৰূপে আসামদেশ হইতে দুব না কবি সে পর্য্যন্ত আমবা আসামদেশ ত্যাগ কবিব না। এবং তোমাবদেৰ বাজ্য এমত পুনঃ স্থাপন কবিব যে

তাহাতে তোমাবদেব সুখ ও বাজ্যেব মঙ্গল বৃদ্ধি হইবে।"

মান খেদাওঁ বুলি দয়াশীল বৃটন সন্তানসকল অসমত নোমালহি। আমাব দুখত সিবিলাকব হিয়া গলি গল, আমাক আশ্বাস দিলে, "যেতিয়ালৈকে তোমালোকব এই উপদ্রব হৈ থকা দেশত শান্তি আৰু নিবাপদে দেখা নিদিয়ে তেতিয়ালৈকে আমি ইয়াবপবা নাযাওঁ।" অকল সেয়ে নহয়, উদাবচিতীয়া দীনবন্ধু ইষ্ট ইণ্ডিয়া কোম্পানীব কর্তৃপক্ষই অভয় দি কলে, "তোমালোকব বাজ্য জয় কবা পিয়াহত [অর্থাৎ হেঁপাহত] আমি অহা নাই।" বঙালক কচু কটা দিয়া অসমে জানোচা ক'বাত কিবা লেঠা লগায়, এই বুলি আকৌ সেই ইস্তাহাবতে শিলব মৃটাত মবা দি মাবি পঠিয়ালে "আমি শত্রুহঁতক যেতিয়ালৈকে নিশেষকৈ অসমদেশবপবা নেখেদো তেতিয়ালৈকে আমি অসমদেশ এবি নাযাওঁ।" এনে এখন অভূতপূর্ব্ব ইস্তাহাব কোনোবা জীৱন্ত জাতিয়ে কেতিয়াবা গ্রহণ কবিব পাবিব নে?

আমাব শত্রু মানহঁত যাবব আজি এশ বছবতকৈ ওপব হল। তথাপি আমাব ধর্ম্মাৱতাব দয়াশীল বৃটীছ গৱর্ণমেণ্টব বোধেৰে এতিয়াও অসমব শত্রু নিঃশেষ হোৱা নাই। মেলকলম (Malcolm) ছাহাবে কৈছিল, "India is as quiet as gunpowder—বন্দুকব গুলীব দবে ভাৱতবর্ষই এতিয়া নিজম দি আছে।" সেইবাবেই হবলা আজিও পর্ব্বতব দাঁতিয়ে দাঁতিয়ে শাবী পাতি (British colonization) বৃটীছব পাম গঠন হব লাগিছে।

কালবো কাল বিপবীত কাল। এতিয়া এনেহে হৈছেহি যে নিজব জন্মভূমিত আমি নিজেই পবদেশী হব লগীয়া হৈছোঁ। আমাব চিনাকি আজি আমি নিজে দিব নোৱাৰোঁহঁক। দিওঁ কেনেকৈ লোকব পাতনি দি বা লোকব আলম লৈ? খৃষ্টীয় উনৈছ শতিকাব মাজভাগলৈকে অসমীয়াব অসমীয়াত্ব পূর্ণমাত্রাই বিদ্যমান আছিল। ১৮৬৪ চনত ডাক্তব ডব্লিউ নেছু লীজ (Dr. W. Nassau Lees L.L.D.) নামে এজন আচাৱস্ত ইংবাজ পুৰুষে অসমীয়া জাতিব কথা যি লেখি গৈছিল তাক এতিয়া পঢ়িলে এনেহে লাগে যেন সেইবোব অসমব মানুহ কোনোবা কালব 'ৰবকণা' দেশব মানুহ হৈ আছিল। প্রকৃততে সেইবোব অসমীয়া মানুহেই আছিল। নেছু লীজ ছাহাবে পঞ্জাব ভ্রমণ কবি যুজাক পঞ্জাবী জাতিবপবা যি সন্মান আৰু আদব-অভ্যর্থনা লাভ কবিছিল অসমত সেই সন্মান, সেই আদব-অভ্যর্থনা পোৱা হে নেলাগে তেওঁ অহাব গমকে কোনোৱেই নললে। সেইবোব কথা বিতংকৈ লেখি তেওঁ দুখ কবি গৈছে বোলে—

"When in the same capacity (private person) I visited my estate in Assam, though the proprietor of thousand of acres of land and employing as many of the people as were not too indolent to work and spending amongst them monthly a sum of money equal to the whole annual collection of a Mouza, though I made my entry with two elephants and such other outward & visible signs of wealth and barbaric splendour as were calculated to indicate that I was a person of some consequence though I scattered handfuls of rupees amongst the drunken reapers whose fields I passed over, though the villagers *en masse* had full permission to cut wood and to graze their cattle gratis in my forest ; and though some of them had been allowed to cultivate my lands without paying any rent whatever not one of the headmen of the villages came to pay his respect or to welcome me ; villagers positively refused, not to give but to sell me a cup of milk ; and it was with considerable difficulty I procured such means of subsistence as rice, milk, eggs and fowls for the few days I remained on my estate."

অর্থাৎ নেছু লীজ ছাহাবক অসমব অসমীয়াই ছাহাব বুলি সমুলি গণিতা নকবিলে। ছাহাবসকলে ভাবে যে তেওঁবিলাকব বগা ৱৰণেই কলা মানুহক ভক্তি ভাবত তেওঁবিলাকব ফালে ঢাল খুৱাই আনিব। কিন্তু জাত্যাভিমান বা স্বদেশ প্রেমেবে উদ্বুদ্ধ বা সিক্ত হৈ থকা এটা জাতিব পক্ষে ভয় আৰু ভক্তি যে দুটা কথা আৰু ভক্তি যে ধন দি বা বাহিক আড়ম্বৰেবে কিনিব নোৱাবি তাক নেছু লীজ ছাহাবে অসমত ঠেকৈ শিকি গল। চীনা বিলাকে কয় যে ইংবাজব সহযোগ একৱাবলৈ বৰতোপ বন্দুকব প্রয়োজন নাই। ইংবাজক যে পেটে পেটে ঘিণ কবে, এই কথা ইংবাজ এজনক জানিবলৈ গম দিলেই তেওঁ আগোনাব ওচৰবপবা আঁতবি যাব। সেই গুণেই হবলা দেশ-কাল পাত্রব অৱস্থা বুজি, শনৈঃ পন্থা শনৈঃ কন্থা শনৈঃ পর্ব্বত লঙ্ঘনং কবিবলৈ—অর্থাৎ বৃটীছ জাতিয়ে অসমব লগত হাট-বাট কবাবপবা আৰম্ভ কবি ১৮২৪ চনব ইস্তাহাব জাবি কবালৈকে এইডোখব কালত অসমীয়াব অন্তৰ ইংবাজব ফালে কিমান ঢাল খাইছে তাকে চাবলৈ—ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ত্রিছ বছব কাল লৈছিল।

ইংবাজ বা বিদেশী দেখিলে অসমীয়াই বুকু ফিন্দাই মুব দাঙি কথা কোৱাব অভ্যাস বহুত দিনবেঁকে আছিল। বৃটীছব বাজ্যত অন্তর্ভুক্ত হোৱাব পাছত প্রায় ৫০ বছবলৈকে অসমীয়াই বিদেশীক বিদ্বেষ নহনেবে দৃষ্টিপাত কবিছিল। অসমীয়া যে ছাহাবব ওৱাতে সেও নহয় তাব কথাও চেমুৱেল বেইল্ডন (Samuel Baildon) নামেবে এজন ছাহাবে এই বুলি লেখি গৈছে।—

"The greater proportion of the population of Assam are Hindus, although, of course, there are some Musulmans. The race is a proud one in a way, especially in the bearing of the people toward Europeans. I think this may be accounted for by the fact that the province was never taken in conquest by the British, but only annexed from the Burmese." অর্থাৎ—অসম দেশৰম যুদ্ধ কবি নলৈ মানব হাতবপবা লোৱা বাবেই অসমীয়া জাতিয়ে ইংবাজব আগত ওফন্দি গঙাটোপটো হৈ দেখুৱায়।

বিদেশীলৈ অশ্রদ্ধা অসমীয়াব বাপতিসাহোন। জাকত জীণ যোৱা বিদেশীলৈ যে শ্রদ্ধা, সিও অসমীয়াব বাপতি সাহোন। বলীব ওচবত দুৰ্ব্বলী সেও হৈ পবে, জোঁবব আগত বাঁতিব পোহব সমুলি নাই, ডাঙবব ওচবত সৰুব সত্তা লুপ্ত হৈ যায়। একাল আছিল যেতিয়া অসমীয়াই অইনক সেও কবাইছিল; একাল আছিল যেতিয়া অসমীয়াই নিজব জোঁবব পোহবেবে অন্যান্য জাতিব বাঁতিব পোহবখিনি নিষ্প্রভ কবি তুলিছিল; একাল আছিল যেতিয়া অসমীয়াব কাষত অন্য জাতিব সত্তা লুপ্ত হৈ গৈছিল। কিন্তু এতিয়া সেই কাল ক'ত? পাহবণি! কোৱাঁচোন সেই অতীতব সোণালময় কাল এতিয়া ক'ত? প্রতিধ্বনিয়ে সুধিছে, বুৰঞ্জীব তুলাপাতে সুধিছে, স্বদেশ প্রেমব প্রেবণাই সুধিছে—বিদেশীক ডাকু দিয়া কালটো আকৌ অসমলৈ কেতিয়াবাবেলি ঘুবি আহিব নে?

জাতীয় উৎসৱত গোলাঘাট

যোৱা ২।১০।৩১ তাবিখব পবা ৮।১০।৩১ তাবিখলৈ গোলাঘাটত গান্ধী সপ্তাহ মহা সমাবোহেবে পালন কবা হল। ১।১০।৩১ তাবিখে জিলাব বিভিন্ন কেন্দ্র আৰু নগৰব দাতিকাযবব পবা অনেক পুৰুষ-মহিলাই কংগ্রেছ কেম্পত সন্মিলিত হয়হি। ২ তাবিখে পুৱা ৪ বজাত সকলো পুৰুষ-মহিলাই গোট খাই নগৰত উষাকীর্ত্তন কবে। ৭॥ বজাত মযদানত গান আৰু মহাত্মা, ভাৱতমাতাব জয়ধ্বনীব মাজত শ্রীযুতা লক্ষ্মীপ্রিয়া বৰুৱানীয়ে জাতীয় পতাকা উত্তোলন কবে। তাব পিচত অভিবাদন শেষ কবি সকলো দিহাদিহি যায়। ১২ বজাব

পৰা জিলা কং কমিটিৰ নিৰ্দ্দেশ অনুসাৰে জিলাৰ বিভিন্ন স্থান আৰু নগৰৰ বিদেশী কাপোৰ আৰু আবকাৰী মহলত



"বিজয়ী বিশ্ব তিৰঙ্গ প্যাৰা।
ঝান্দ উঙা বহে হামাৰা॥"

২-১০-৩১ তাৰিখে জাতীয় পতাকা উত্তোলন পুৰুষ-মহিলা আৰু "বানৰ সেনাই" পিকেটিং আৰম্ভ কৰে। ২ বজাত স্থানীয় ক্লাব ঘণ্টা ১২০ মান তিৰোতা আৰু



গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ সভাপতি শ্ৰীযুত ৰাজেন্দ্ৰ নাথ বৰুৱা, বি-এল

লৰাছোৱালীয়ে মিলি সুতা কটা প্ৰতিযোগিতা কৰে। ৪ বজাত শ্ৰীযুত শুকুলেশ্বৰ হাজৰিকাৰ সভাপতিত্বত জিঃ কং কমিটিৰ এখনি সভা বহে, সভাৰ নতুন নিৰ্ব্বাচন মতে শ্ৰীযুত ৰাজেন্দ্ৰ নাথ বৰুৱা, বি-এল জিঃ কং কমিটিৰ সভাপতি হয়। তাৰ পিচত আবেলি ৫ মান বজাত স্থানীয় ময়দানত শ্ৰদ্ধেয়া শ্ৰীযুতা লোকপ্ৰভা গোস্বামীৰ সভানেত্ৰীত্বত এখনি বিৰাট ৰাজহুৱা সভা হয়, সভাত পাচ হেজাৰ মান লোক সমবেত হৈছিল। সমবেত জনমণ্ডলীৰ ভিতৰত মহিলা আৰু ৰাণিছাৰ বহুতাৰ উৎসাহ নিতান্ত প্ৰশংসনীয় হৈছিল। গোলাঘাটত এনে ধৰণৰ জাগৰণ এয়ে নতুন বুলি ধৰিব পাৰি। অনেক কানীয়াই এই সংঘাতেই কানিৰ পট্টা শোধাই দি নৈতিক সাহস পৰিচয় দি বাইজৰ আশীৰ্ব্বাদ লৈছিল। সভা ভঙ্গ হোৱাৰ পিচত মাইল জুৰি সহস্ৰ সহস্ৰ লোকৰ বিৰাট শোভাযাত্ৰা হয়, ৰাতি ৯ মান বজাত শোভাযাত্ৰা শেষ কৰি সকলো নিহাদিহ যায়।

পুৰুষ, মহিলা, 'বানৰ-সেনা' আদি সেৱকবৃন্দই গোটেই জাতীয় সপ্তাহত পিকেটিং আৰু খদ্দৰ ফেৰি কৰি ফুৰিছিল।



গান্ধীসপ্তাহৰ শেহৰ দিনা জাতীয় পতাকাৰ তলত বহা বিৰাট সভা। ছবিত × চিন দিয়া গৰাকী সভানেত্ৰী শ্ৰীযুতা লোকপ্ৰভা গোস্বামী

৮ তাৰিখে আবেলি ময়দানত শ্ৰীযুত ৰাজেন্দ্ৰনাথ বৰকাৰ সভাপতিত্বত পুনৰ এখনি বিৰাট ৰাজহুৱা সভা বহে, সভাত

পিচত পুৰুষত নগৰত শোভাযাত্ৰা কৰি ৭ মান বজাত সহস্ৰ সহস্ৰ লোক জাতীয় পতাকাৰ তলত সমবেত হয়।



গোলাঘটীয়া গায়িকা সেচ্ছাসেৱিকাসকল

ৰীতিমত উপস্থিত জনমণ্ডলীয়ে পতাকা অভিবাদন কৰাৰ পিচত শ্ৰীযুত লক্ষ্মীপ্ৰিয়া বৰকৰানীয়ে পতাকা অবতাৰণৰ কাৰ্য্য সম্পাদন কৰে।



অসম সেৱাদলৰ প্ৰাদেশিক ইনষ্ট্ৰাক্টৰ শ্ৰীযুত ৰাজেন্দ্ৰ নাথ বৰকৰা, বি-এল

গোলাঘটীয়া দেশসেৱকবৃন্দৰ উদ্যম ইমানতে ওৰ পৰা নাছিল। ৮পুজাৰ কিদিনত ৰীতিমতে বিলাতী কাপোৰৰ দোকান আৰু মহল বিলাকত গান্ধী সপ্তাহৰ নিচিনাকৈ পিকেটিং পূৰ্ণ উদ্যমেৰে চলাই থকা হয়, ইয়াৰ বাহিৰেও স্থানীয় ময়দানত এখনি জাতীয় প্ৰদৰ্শনী খোলা হয়। এই প্ৰদৰ্শনীত অসমীয়া জাতীয় শিল্পজাত বস্তু দেখুওৱাৰ বাহিৰেও শ্ৰীযুত ৰাজেন্দ্ৰ নাথ বৰকাৰ অসমীয়া



গোলাঘটীয়া স্বেচ্ছাসেৱক স্বেচ্ছাসেৱিকাসকল



শ্ৰীযুত বনক ৰুদ্ৰ দাস—এওঁ মহাত্মাৰ গত ৬ষ্ঠ নাত লোণ-আইন অমান্য কৰি আহমদাবাদত গ্ৰেপ্তাৰ হয় আৰু যাৰবেদা জেলত সাত মাহ ফাটেক খাটে

পিঠাপনা, চাহৰ দোকান, ভাৱনা, মিৰি-নাচ, কুস্তি, লাঠীখেল, তৰোৱাল খেল, পুতলা নাচ আদিয়ে প্ৰদৰ্শনীৰ ৰূপ অনেক গুণে চৰাইছিল।

এই জাতীয় মহাযজ্ঞ উপলক্ষে গোলাঘটীয়া ৰাইজৰ অপূৰ্ব্ব জাগৰণ ভবিষ্যৎ এক মহাকাৰ্য্যৰ সূচনা বুলিও ধৰিব পাৰি। এই কাৰ্য্যৰ মূলত যে মাতৃজাতি, যাইকৈ নগৰীয়া আইসকলৰ উদ্যম আৰু ত্যাগ, তাক নকলেও হব। নগৰীয়া আইসকলৰ এই উদ্যম স্থায়ী হলে অদূৰ ভবিষ্যতে ভাৰতৰ আন ভাইভনীৰ লগত গোলাঘটীয়া ৰইজে জোতাশাৰি মাৰি



গোলাঘাটত জাতীয় সপ্তাহত বিদেশী কাপোৰৰ দোকান বোৰৰ আগত সেচ্ছাসেৱক আৰু স্বেচ্ছাসেৱিকাসকলে খদ্দৰ ফেৰি কৰি ফুৰিছে

মাতৃৰ আহ্বানত খোজ লব পাৰিব বুলি আশা কৰা যায়। এইখিনিতে একাষাৰ কব পাৰি যে গোলাঘাটৰ এই যজ্ঞৰ



(সোঁফালে)—ইন্‌ষ্ট্ৰাক্টৰ ৰাজেন্দ্ৰ নাথ বৰুৱা
(বাওঁফালে)—চৰ্দ্দাৰ ভোলানাথ বৰুৱা

আগপাচ ধৰোতা সকলৰ ভিতৰত স্থানীয় সেৱক সকলৰ বাহিৰে গুৱাহাটীৰ অক্লান্ত কৰ্ম্মী শ্ৰীযুত লীলাধৰ বৰুৱা আৰু শিৱসাগৰ বিদ্যাপীঠৰ আদৰ্শ শিক্ষক শ্ৰীযুত বলোৰাম গগৈৰ নাম যাইকৈ উল্লেখযোগ্য। তেখেত সকলৰ ত্যাগৰ আদৰ্শ গোলাঘটীয়াৰ চিৰ আদৰৰ ধন হৈ ৰল।

খম্বা-থোইবীৰ সাধুকথা

—শ্ৰীযুত ৰজনীকান্ত বৰদলৈ, বি-এ

মণিপুৰ দেশখান আমাৰ অসমৰ পূব-দক্ষিণ কোণত থক. নগা পাহাড়ে সৈতে সংলগ্ন মণিপুৰৰ ৰজাঘৰে সৈতে আমাৰ অসম ৰজাৰ এক কালত সম্বন্ধও আছিল। ৺ৰাজেশ্বৰ সিংহই মণিপুৰীয়া কুৱঁৰী কুৰঙ্গনয়নীক বিয়া কৰাইছিল। ৺ৰাজেশ্বৰ সিংহৰ পিছত ৺লক্ষ্মীসিংহে এই কুৱঁৰীক প্ৰধান ৰাণী কৰিছিল। মায়ামৰীয়া প্ৰথম বিদ্ৰোহত মায়ামৰীয়াসকলে ৺লক্ষ্মীসিংহ ৰজাক ৰাজ্যচ্যুত কৰি ৰমাকান্ত মৰাণক ৰজা পাতিছিল আৰু ৰাঘ মৰাণ বৰবৰুৱা হৈ এই কুৰঙ্গনয়নীক তাৰ প্ৰধান তিৰোতা কৰিছিল। পিছত ৰজাৰ ফালৰ মানুহে সৈতে তলে

তলে লগ লাগি কুৰঙ্গনয়নীয়ে (যাৰ অপৰ নাম মগলৌ কুৱঁৰী বুলি উল্লেখ হৈছে) ৰাঘক বধ কৰি আকৌ ৺লক্ষ্মী সিংহক থাপে। মায়ামৰীয়া বিদ্ৰোহত মণিপুৰৰ ৰজাই পাঁচশ অশ্বাৰোহী সৈন্য দিও অসম ৰজাক সহায় কৰিছিল।

হেৰ সিদিনাখন পেঞ্চনভোক্তা আহোমৰজা ৺কন্দৰ্পেশ্বৰ সিংহই তেওঁৰ প্ৰথম গৰাকী ৰাণীৰ ফালৰ জীয়েক ফেচু আইদেউলৈ এজন মণিপুৰীয়া কোৱঁৰ গুৱাহাটীত চপাই ৰাখিছিল। আমি লৰাকালিত এই কোৱঁৰক দেখিছিলোঁ।

মহাভাৰত পঢ়ি আমি সকলোৱে জানো যে মণিপুৰৰ ৰাজবংশটো নাগিনী-কন্যা চিত্ৰাঙ্গদাৰ গৰ্ভত ক্ষত্ৰিয় বীৰ অৰ্জ্জুনৰ ঔৰষত উৎপত্তি। মণিপুৰৰ বিখ্যাত বীৰ শ্ৰেষ্ঠ বভ্ৰুবাহন ৰজাই বাহুবলেৰে "জাৰজ" বুলি গালি পৰাত নিজ পিতৃ অৰ্জ্জুন হেন বীৰকো যুদ্ধত বধিছিল। পিছত মাকৰ তিৰস্কাৰত তত নেপাই পাতালৰ বাসুকীৰ পৰা সঞ্জীবনী মণি যুজ কৰি আনি সেই মণিৰ পৰশেৰে নিজ পিতৃ অৰ্জ্জুনক জীয়াইছিল। এই মণি অনা কাহিনীৰে পৰা দেশখানৰ নাম মণিপুৰ হৈছে।

মণিপুৰী সাধাৰণ প্ৰজাবৰ্গ প্ৰায়েই ক্ষত্ৰিয় জাতিৰ যদিও ব্ৰাহ্মণ আৰু মুছলমানো অলপ সংখ্যক আছে। মণিপুৰী হিন্দু মাত্ৰেই বৰ্ত্তমানত চৈতন্যপন্থী বৈষ্ণৱ। মণিপুৰী ভাষাটোও মাৰ্জ্জিত ভাষা। এই ভাষাৰ ভিতৰত সম্ভ্ৰমাৰ্থে, সমানাৰ্থে, তাচ্ছীল্যাৰ্থে বেলেগ বেলেগ সৰ্ব্বনাম আৰু ক্ৰিয়াৰ ৰূপ আছে।

আমি শিলচৰত থাকোঁতে মণিপুৰী ভাষা শিকি পৰীক্ষা দি গৱৰ্ণমেণ্টৰ ঘৰৰ পৰা এহেজাৰ ৰূপো পুৰস্কাৰ পাইছিলোঁ। এই ভাষাটো শিকোঁতে খম্বা থোইবীগিৱাৰি অৰ্থাৎ "খম্বা থোইবীৰ সাধুকথা" বোলা ছপোৱা কিতাপ এখান পঢ়িছিলোঁ। এই সাধুকথাটোৱে মণিপুৰী সকলৰ আচাৰ, নীতি, আগৰ ধৰ্ম্মকৰ্ম্মৰ ভাব প্ৰকাশ কৰে দেখি আজি এই সাধুকথাটো অসমীয়া ভাষাত অসমীয়া ৰাইজৰ আগলৈ উলিয়ালোঁ। পুথিখান আৰম্ভ কৰিছে—

খাম্বা হাইবা অদু মহাদেবগী লাঙোন থোইবী হাইবা অদু পাৰ্ব্বতীগি লাঙোন্‌নি—অৰ্থাৎ খাম্বা বোলাজন মহাদেৱৰ আৰু থোইবী বোলাজনী পাৰ্ব্বতীৰ অৱতাৰ।

সেই সময়ত মণিপুৰ ৰাজ্যখান তিনি খণ্ডত বিভক্ত আছিল। সেই খণ্ড কেইটাৰ নাম মইৰাং, খুমান্, লুচাঙ্। প্ৰত্যেক খণ্ডৰে একো একোজন ৰজা আছিল। সেই কালত মণিপুৰক আজিকালিৰ দৰে এজন ৰজায়ে শাসন কৰা নাছিল।

থোইবী

মইৰাং প্ৰদেশত চিংখু তেলহেইবা ৰজাৰ দিমত ৰজাৰ ভায়েক চিংখু আখুবা যুৱৰাজ আছিল। ৰজা আছিল নিঃসন্তান। যুৱৰাজ আখুবাৰ থোইবী লাইমা নামেৰে এজনী জীয়াৰী মাথোন আছিল।

খাম্বা

সেই সময়ত খুমান্ প্ৰদেশত ঐথোঙ্‌নাই নামৰ ৰজা এজন আছিল। এই ৰজাজনাৰ (১) হাওৰম্বা হাল (২) হাওৰাম নিঙই (৩) হাওৰাম থোল লৌথিবা নামৰ তিনিজনা পুত্ৰ আছিল। এই ৰজাৰ পাঞ্জিথৈবা নামৰ দৈৱজ্ঞ এজন আছিল। এদিন এই দৈৱজ্ঞজনে তেওঁৰ ঘৈণীয়েক চাওবী লঙ্‌নাঙ্‌মাচাকে সৈতে পাহাড়ৰ ওচৰতে থকা এখান বিললৈ মাছ মাৰিবলৈ গৈছিল। বিলৰ পাৰত, পাহাড়ৰ কাষত এজোপা হৈবিঙ (ঔটেঙ্গা) গছ আছিল। মাছ মাৰি ভাগৰ লগাত তেওঁ সেই গছজোপাৰ ছঁয়াত বহিছিল। আৰু তাত বহি থাকোঁতেই ওচৰতে সোণৰ মাছলিয়ে সৈতে এধাৰ ৰুদ্ৰাক্ষৰ মালা পালে। ঘৰলৈ উভতি গৈ ভাবিচিন্তি চাই সেই মালাধাৰ নিজে নাৰাখি ৰজাক দিলেগৈ। ৰজাই দৈৱজ্ঞজনক যথোচিত পুৰস্কাৰ দি মালাধাৰ ৰাখিলে আৰু সেই মালাধাৰ বৰপুতেক হাওৰাম হালক পিন্ধালে। কেইবছৰমানৰ পিছত ৰজাই সেই মালাধাৰ মাজিউ পুতেকক পিন্ধালে, পিছত মৰিবৰ অলপ আগখিনিতে ৰজাই মালাধাৰ সৰুপুতেকক দি বৈকুণ্ঠী হল।

ৰজা বৈকুণ্ঠী হলত খুমান্ প্ৰদেশৰ শাসনভাৰ তিনিউ পুতেকৰ ওপৰতে পৰিল। তিনিউ ভায়েকে মিলে-প্ৰীতিয়ে

থকাৰ কেবহৰমানৰ পিছত ওচৰৰ লুচাঙ প্ৰদেশৰ ৰজা পুছেন্‌বাই এটা অট্টালিকা সাজিছিল। পূৰ্ব্বাপৰ ৰীতি অনুসাৰে লুচাঙৰ ৰজাই সেই অট্টালিকাত বাস কৰিবলৈ লৱৰ দিনা এটা বৰ ডাঙৰ ভোজ পাতি ঘুমানৰ ৰাজপুত্ৰসকলক আৰু আন আন বহা ৰাজোৱালন, বিষয়াসকলক নিমন্ত্ৰণ কৰিছিল। এই নিমন্ত্ৰণ পাই ঘুমান্ ৰজাৰ পুতেক হাওবাম হাল আৰু হাওবাম নিঙইয়ে সুন্দৰকৈ কাপোৰ-কানি পিন্ধি ভোজলৈ ওলাল। সেই সময়ত তেওঁ-বিলাকৰ সকলো ভায়েক হাওবাম থলে তেওঁৰ সেই কন্দ্ৰাক্ষৰ মালাধাৰ মাকৰ হাতত থৈ চিকাৰ কৰিবলৈ গৈছিল। সকলো ভায়েকক চিকাৰৰ পৰা আহি নোপোৱা দেখি ৰৰ ককায়েক হাওবাম হালে মাকক অনেক অনুনয়-বিনয় কৰি কন্দ্ৰাক্ষৰ মালাধাৰ খুজি লৈ গলত পিন্ধি নিমন্ত্ৰণ খাবলৈ গল।

চিকাৰৰপৰা উভতি আহি হাওবাম থোলে ককায়েক-হঁতে ভোজ খাবলৈ যোৱা কথা শুনিলে আৰু তেওঁক বাপেকে দি থৈ যোৱা কন্দ্ৰাক্ষৰ মালাধাৰ হাওবাম হালে নিয়া কথা শুনি ক্ৰোধত অধীৰ হৈ ককায়েক দুয়োজনকে বধিবৰ অভিপ্ৰায়ে বাপেকৰ তৰোৱালখান মনে মনে লৈ তেওঁ লোকৰ পাছে পাছে বেগাবেগিকৈ গল।

কিছুপৰ বেগাবেগিকৈ গৈ ককায়েকহঁতৰ লগ ধৰিলে আৰু বৰককায়েক হাওবাম হালৰ গলত কন্দ্ৰাক্ষৰ মালাধাৰ দেখি একো চোধ-পোছ নকৰাকৈয়ে পোনেই ককায়েক বাটতে কাটিলে। ৰৰ ককায়েকক কটা দেখি মাজিউজন ৰাজপুত্ৰ হাওবাম নিঙই ভয়তে ভোজলৈ নগৈ মৈৰাং প্ৰদেশলৈ পলাই গল আৰু তাত গৈ বসতি কৰিলে। ঘুমানত ৰৰ ককায়েকক কাটি, মাজিউ ককায়েকক খেদি হাওবাম থোলেই ৰজা হল। মৈৰাঙত হাওবাম নিঙই দুজনা তিৰোতা বিয়া কৰালে আৰু প্ৰত্যেকজনাৰ গৰ্ভতে এটা এটা পুত্ৰ সন্তান জন্মালে। প্ৰথমজনাৰ গৰ্ভপৰা পুবেণ-কৈবা নামৰ লৰা এটা হল। দ্বিতীয়জনাৰ গৰ্ভপৰা খাংলৈ নামৰ লৰা এটা হল। পুবেণকৈবা ডাঙৰ হৈ বিয়া কৰোৱাত পুবেণকৈবাৰ লাঁবা এটা হল। সেই লৰাটোৰ নাম থলে পুবেণবা। এই পুবেণবাই কালক্ৰমত মৈৰাঙৰ ৰজা চিংথু তেগহাইবাৰ এজন বিশ্বাস হল।

এদিন মৈৰাঙৰ সেই ৰজাজনে পাত্ৰ, মিত্ৰ, অমাত্য ইত্যাদি সকলোকে লৈ চিকাৰ কৰিবলৈ গৈছিল। হাৰিত জুই লগাই দিয়ালে যাতে বনবীয়া জন্তুবিলাক ওলাই লৰ মাৰে। আন আন বনবীয়া জন্তু যেনে—পহু, বঘা ইত্যাদি ওলাই লৰ মৰাৰ লগে লগে সেই হাবিবপৰা পাঁচোটা বাঘো ওলাল। বাঘ দেখি ৰজাৰ লগৰ আন আন সকলো মানুহ ভয়তে পলাল কিন্তু পুবেণবাই তেওঁৰ যাঠি পাতেবে, কাঁড়ধেনুবে ৰজাই সৈতে লগ লাগি বাঘ পাঁচোটা মাৰিলে। ৰজাই পুবেণবাৰ এনেকুৱা বীৰত্ব আৰু নিৰ্ভীকতাৰ ওপত ৰৰ সন্তুষ্ট হৈ অবিবাহিত পুবেণবাক নিজৰ কোনো জীয়ৰী নথকাত বাণী এজনীকে সুন্দৰ যৌতুকেৰে সৈতে অলঙ্কাৰে কাপোৰে সৈতে পুবেণবাক দিলে। পুবেণবাই মৈৰাঙ ৰজাৰ সেই বাণীজনাক বিয়া কৰাই নিজ পত্নী কৰিলে। কালক্ৰমত এই বাণীৰ গৰ্ভত পুবেণবাৰ ঔৰসে প্ৰথমতে লৰা এটা হল, নাম থলে খাম্বা; পিছত ছোৱালী এজনী হল, নাম থলে ঘুমদু। ইয়াৰ কিছুমান দিনৰ পিছত পুবেণবাক এটা ৰৰ ৰোগ ভূতে লস্তি বেমাৰত পেলালে। কোনো ওঝা, বৈদ্য কবিৰাজে পুবেণবাক ভাল কৰিব নোৱাৰিলে। কিছুমান দিন ৰোগশয্যাত পৰি থাকি পুবেণবাৰ মৃত্যু হল। মৰিবৰ আগধিনিতে পুবেণবাই তেওঁৰ বন্ধু লংথনবা আৰু থংলেনক মতাই আনি তেওঁৰ লৰা ছোৱালী হালক সঁপি দিলে। পুবেণবাৰ ঘৈণীয়েক পুবেণবাৰ লগত সতী গল। লৰা-ছোৱালীহালক থংলেনে চপালে। এই লৰাজনেই এই সাধুকথাৰ নায়ক—নাম খাম্বা। পিতৃবন্ধু থংলেনৰ ঘৰত কিছুকাল থাকি অলপ বুজন হলত চিকালেই অকল এজনৰ গলগ্ৰহ হৈ থাকিবলৈ ইচ্ছা নকৰি খাম্বা আৰু ঘুমদু দুয়ো নিজৰ খালি থকা ঘৰলৈ আহিল। আৰু তাতে থাকি ঘুমদুয়ে ওচৰ-সামৰৰ মানুহৰ ঘৰত কটনা কাটি বাবা বানি উভয়ৰে জীৰিকা নিৰ্ব্বাহ কৰিব ধৰিলে।

এদিন ঘুমদুয়ে মৈৰাঙৰ ৰজাবলৈ কিবাকিবি বস্তু বেচা-কিনা কৰিবলৈ গৈছিল। সেইদিন মৈৰাং যুৱৰাজৰ

জীয়েক থোইবী আইদেৱো ৰজাবলৈ গৈছিল। যদিও আগেয়ে কোনো চিনা-জনা নাছিল, তাপি ঘুমদুৰ দেখা মাত্ৰেই যুৱৰাজ কন্যাৰ কিবা এটা ঘুমদুলৈ মৰম চাপি ঘুমদুৰ লগত কথাবতৰা পাতি ৰৰ সন্তোষ পালে আৰু ঘুমদুক নিজৰ এজনা বন্ধু বা সখীৰূপে গ্ৰহণ কৰি থোইবী আইদেৱে ঘুমদুক খোৱা বস্তু আৰু কিছু সোণৰ অলঙ্কাৰ পৰ্য্যন্ত দি ঘৰলৈ বিদায় দিলে। ঘুমদুৱে আহি খাম্বাক নিজৰ সৌভাগ্যৰ কথা কলে। খাম্বাই মনতে দুখ কৰিলে যে যুৱৰাজ কন্যাই অকল ভনীয়েককেহে মৰম কৰি ৰত্নবস্তু দিলে তেওঁলৈ হলে একোকে নিদিলে। হয় ঘুমদুৱে তেওঁৰ কথা নজনালেই, নতুবা জনালেও যুৱৰাজ কন্যাই সেই কথালৈ আওকাণ কৰিলে। সেই হাটত বন্ধুত্ব কৰিবৰে পৰা ঘুমদুক থোইবী আইদেৱে মাজে মাজে ঘৰলৈ মতাই নি ঘুমদুৰ লগত বং-ধেমালি কৰিব ধৰিলে। অনেক সময়ত নিজৰ উঠি অহা যৌৱন কালৰ ভাবো ঘুমদুক অকপটচিত্তে কৰ ধৰিলে। মুঠৰ ওপৰত ঘুমদু থোইবী আইদেৱৰ এজনা ৰৰ বিশ্বাসী বন্ধু হল।

এদিন থোইবী আইদেৱে মণিপুৰৰ বিখ্যাত হ্ৰদ লোগ্‌তাকত মাছ মাৰিবলৈ যাবলৈ ইচ্ছা কৰি সেই কথা বাপেকক জনালে। বাপেকে ৰজাত জনালে। ৰজাই বাইজত ঢোল পিটি শুনাই দিলে যে সেইদিন কোনো মুনিহ মানুহ লোগ্‌তাকত মাছ মাৰিব যাব নোৱাৰে। কেৱল থোইবী আইদেউ এজনী মানুহ লগত লৈ নাৱেৰে মাছ মাৰিব যাব। লগত নিয়াজনীয়ে নাও চলাব, আইদেৱে জাল পেলাই পেলাই মাছ ধৰিব। কোনো মুনিহ সেইদিন সেই হ্ৰদলৈ গলেই ৰজাই প্ৰাণদণ্ড বিহিব। এই আদেশৰ পিছত থোইবী আইদেৱে ঘুমদু সখীয়েকক মাছ মাৰিবলৈ যাবলৈ লগ ধৰিলে। ঘুমদুৱে খাম্বাক এই সকলো বিপাক কথা কৈ ঘৰত এৰি গল। তেতিয়া দুয়ো সখীয়েকে ৰজাঘৰীয়া নাও এখানত উঠি লোগ্‌তাক্ হ্ৰদৰ বহত দুবলৈ গৈ মাছ মাৰিব ধৰিলে।

ভনীয়েকে লোগ্‌তাক্ হ্ৰদত মাছ মাৰি থাকোঁতে ইফালে খাম্বাই দুপৰীয়া খাই-বৈ উঠি ভাগৰ পলুৱাবলৈ বুলি চাৰিপাটীত বাগৰ দিওঁতে তেওঁৰ টোপনি আহিল। টোপনিত তেওঁ সপোন দেখিলে যেন পাহৈবা নামৰ দেৱী জনাই তেওঁৰ ভনীয়েকৰ ৰূপ লৈ কলে—"খাম্বা! তুমি ঘৰত শাক-পাচলি সকলো বিকাক চিকাক্ কৰি খবা"। এইটো সপোন দেখি থাকোঁতে খাম্বাই সাৰ পাই চকু-মুখ মোহাৰি ভাবিব ধৰিলে, তেওঁ ভনীয়েকক দিঠকত দেখিলে নে সপোনতেহে দেখিলে। দৈবৰ কিখন খণ্ডন নাযায়। খাঙ্‌জিঙ্ দেৱতাই তেওঁৰ মনত ভাব কৰালে যে তেওঁ ভনীয়েকক দিঠকতেহে দেখিছিল আৰু "কিবা কথা আছে নে"? বুলি সুধিবৰ উদ্দেশে খাম্বা যেন ভনীয়েকৰ পাছে পাছে হে গৈ লোগ্‌তাক্ হ্ৰদ পালেগৈ। তাত পাহৈবা দেৱীৰ অনুগ্ৰহত এখান বাঠাৰে সৈতে নাও পালে আৰু ৰজাই যে শুনিলে দণ্ড বিহিব, এই কথাটোও পাহৰি নাৱত উঠি ঘুমদুক বিচাৰি নাও বাই যাব ধৰিলে। কিন্তু ঘুমদুহঁতৰ নো নাও কোন ফালে আছিল, ক'ত আছিল একোকে নেদেখি খাম্বাৰ মনত ৰৰ চিন্তা হল। এনেতে পাহৈবা দেৱীয়েই হ'ক বা খাংজিং দেৱতায়ে হ'ক খাম্বাক কৃপা কৰিছে, যেন এছাটি বতাহ মাৰিলে। সেই বতাহত খাম্বাৰ নাওখান ঢোৰে কোবাই নি ঘুমদু আৰু থোইবীয়ে য'ত মাছ মাৰিছিল সেইখিনি ঠাই পোৱালেগৈ। থোইবী আইদেৱে হঠাৎ উলটি চালে। দেখিলে যে দুবৰ পৰা এটা মানুহে নাও এখান বাই আহিব লাগিছে। ইয়াকে দেখি তেওঁ ঘুমদুক সুধিলে "সখী! ৰৰ পাৱানে সেইটো কোন মৰমাহিয়াল মানুহে আমাৰ ফাললৈ নাও বাই আহিব লাগিছে? সি নেজানে নে যে ৰজাই শুনিলে তাক ধৰাই নি কাটিব?" ঘুমদুৱে সপোনতো ভনী নাছিল যে ভায়েক খাম্বাই তাইৰ কথা আৰু সতৰ্ক কৰি দিয়া আদেশ দলিয়াই পেলাই এইবেৰ নাও বাই আহিব। আঁতৰৰ পৰা চিনিব নোৱাৰি তেওঁ থোইবী আইদেউক কলে—"সখী! মই কৰ নোৱাৰোঁ সেইটো কোন মৰমাহিয়াল মানুহ আহিছে"। দুয়ো সখীয়েকে এইদৰে কোৱা-মেলা কৰি থাকোঁতে খাম্বাৰ নাও গৈ ওচৰ চাপিল। তেতিয়া ঈশ্বৰৰ ইচ্ছা অনুসৰি থোইবী আৰু খাম্বাৰ উভয়ৰে চকু উজৰিলে পৰিল। থোইবীয়ে দেখিলে ডেকাজন শুৱনি। তেওঁৰ হাত ভৰি

সুঠাম নোদোকা। তেওঁৰ মুখখান আৰু গোটেইটো গাৰ গঢ় এনেকুৱা ধুনীয়া যে থোইবীৰ বোধ হৈছিল খাম্বাক যেন শিল্পীয়েহে অতি চিকণকৈ গঢ়িছিল। খাম্বা ধুনীয়া ডেকাটি হবৰে কথা। পিতৃকুলৰ ফালৰপৰা আৰু মাকৰ ফালৰ পৰাও ৰজাৰহে কোঁৱৰ আছিল, যদিও পিতৃমাতৃ উভয়কে শৈশৱতে হেৰুৱাই দুখত পৰিছিল। খাম্বায়ো সেইদৰে থোইবীক অতি সুন্দৰী, ৰূপৱতী দেখিছিল। উভয়ৰে মন উভয়লৈ প্ৰথম দৰ্শনতে আকৃষ্ট যে হৈছিলেই, উভয়ৰে মনত উভয়লৈ প্ৰেমৰো সূত্ৰপাত হল। থোইবীয়ে ইওটো দেখিলে যে খাম্বাৰ মূৰৰ পাগুৰিটো যি কাপোৰৰ,খুম্নুৱে গাত লোৱা আগুৰাণখানো সেই কাপোৰৰে। খাম্বাই যিপাত থাক তেওঁৰ হাতত পিন্ধিছিল সেই থাকপাতো দেখোন তেওঁ খুমনুক দিয়া থাকপাতেই। ইত্যাদি কাৰণে থোইবীয়ে মনত কিবা এটা শঙ্কা কৰি সুধিলে, "সখী! তুমি দেখোন এই ডেকাজনক চিনি নাপাওঁ বুলিছিলা। এতিয়া মই দেখিছোঁ তেওঁৰ কাপোৰে তোমাৰ কাপোৰে একে। তেওঁৰ হাতৰ থাকপাত দেখোন ময়ে তোমাক দিছিলোঁ।" খুম্নুৱে কলে—"সখী! তুমি যেতিয়া মোক "তেওঁ কোন" বুলি সুধিছিলা সেই সময়ত নাও দূৰত থকা বাবে মই চিনি পোৱা নাছিলোঁ। এতিয়া চিনিছোঁ তেৱেঁই মোৰ ককাইটি হয়। তেওঁক মই ঘৰ ৰখিবলৈ এৰি আহিছিলোঁ আৰু ইয়ালৈ আহিলে ৰজাই কেনেবাকৈ জানিলে যে তেওঁক কাটিব, এই কথাও মই কৈ আহিছিলোঁ। মই সপোনতো ভবা নাছিলোঁ যে তেওঁ ইয়ালৈ আহিব।" খুম্নুৰ কথাত থোইবী আইদেউ সন্তুষ্ট হৈ কলে "সখী! নিশ্চয় তেওঁৰ নাও বাওঁতে দুখ আৰু ভাগৰ লাগিছে। হোঁৱা ধৰা, মোৰ পাচিৰ এই ফল মূল আৰু মিঠাই তেওঁক দিয়া। তেওঁ খাই শীঘ্ৰে ইয়াৰপৰা গুচি যাওক। নহলে কেনেবাকৈ ৰজাই জানিলে তেওঁৰ প্ৰাণদণ্ড কৰিব।" থোইবীৰ এই কথাত খুম্নুৱে খাম্বাক সুধিলে, "ভাইটি! তইনো ইয়ালৈ ইমান মৰসাহ কৰি কেলেই আহিলি? তোক মই কৈছিলোঁ নহয় যে আজি লোগতাকলৈ কোনো মতা মানুহ আহিব নোৱাৰে।" খাম্বাই কলে, "তই কৈছিলি হয়, কিন্তু মই দুপৰীয়া শুই থাকোঁতে মোক তই ইয়ালৈ মাতি অহা নাই জানো?" খুম্নুৱে কলে, "মই দেখোন পুৱাৰপৰা ইয়াতে আছোঁ, তোকনো কেতিয়া মাতিলোঁগৈ ঐ?" খাম্বাই কলে, "তই নাই যোৱা?" খুম্নু—"মই নাই যোৱা। মোৰ সখীয়েই জানে নহয়।" তেতিয়া খাম্বাই কলে, "তেনেহলে পাম্বৈবা দেবীয়েহে তোৰ ৰূপ ধৰি মোক মাতিছিলগৈ। বাৰু মই এতিয়া যাওঁ"। তেতিয়া খুম্নুৱে কলে—"যোৱাগৈ ভাইটি! ঈশ্বৰে যেন—পাম্বৈবা দেবীয়ে যেন তোমাক সুকলমে কাৰো চকুত নৰাপকৈ নিয়ে।" খাম্বা পাছ দিয়াত খুম্নুৱে কলে—"সখী! আপুনি এই কথা যেন কাকো নকয়। কেনেবাকৈ ৰজাই জানিলে মোৰ ভাইটোক কাটিব"। থোইবীয়ে কলে—"সখী! তুমি একো চিন্তা নকৰিবা। মই কাকো নকওঁ। বৰং ময়ো তোমাৰ লগতে পাম্বৈবা দেবীক খাটিলোঁ তেওঁ যেন নিৰাপদে তোমাৰ ভায়েৰাক ঘৰ পোৱায়গৈ"। তেতিয়া দুয়ো সখীয়েকে আকৌ খাম্বাৰ অৰ্থে পাম্বৈবা দেবীক আৰু খাংজিং দেৱতাক স্তুতি কৰিলে।

ইয়াৰ পিছত কিছুমান বেলি মাছ মাৰি অঁতাই দুয়ো সখী ঘৰলৈ উভতিল। দুয়ো সখীয়ে নিজ নিজ ঘৰলৈ যাবলৈ এৰা-এৰি হোৱাৰ সময়ত থোইবীয়ে কলে—"সখী! তুমি যদি অনুগ্ৰহ কৰি কাইলৈ বা পৰহিলৈ মোৰ ইয়ালৈ আহি মোক লগত লৈ যোৱা তেন্তে মই তোমাৰ ঘৰলৈ ফুৰিবলৈ যাম। মোক জৰুৰ নিবাহি দেই।" খুম্নুৱে কলে—"সখী! তুমি যেতিয়া ইমান ইচ্ছা কৰিছা তেতিয়া মই বাৰু নিমহি। কিন্তু সখী! আমাৰ যিহে ভগা ঘৰ তাক দেখুৱাবলৈ লাজেই লাগে।" থোইবীয়ে কলে—"সখী! সেই বিষয়ে একো নেভাবিবা। জানি লবা যে তুমিয়ে-ময়ে আনকি তোমাৰ ভায়েৰাও মোৰ অভিন্নহৃদয় বুলি ধৰিছোঁ। তোমালোকো ৰজাৰ নাতি আৰু নাতিনী। সদ্যহতে দুখত পৰিছা যদিও বংশমৰ্য্যাদা কলৈ যাব? মই সখী নিশ্চয় পৰহিলৈ তোমাৰ ঘৰলৈ যাম।" —ক্ৰমশঃ

লিখা-পঢ়াৰ আদি কথা

—শ্ৰীযুত সুৰেন্দ্ৰমোহন দাস, এম-এ

যিবোৰ শব্দেৰে মানুহে ভালকৈ মনৰ ভাব প্ৰকাশ কৰে তাকে ভাষা বোলে। শব্দৰ অতি ক্ষুদ্ৰতম অংশ বা অমিশ্ৰ ভাগক বৰ্ণ বা আখৰ বোলে। বৰ্ণৰ স্বৰূপ দেখুৱাবৰ কাৰণে কেতবোৰ সাঙ্কেতিক চিন ব্যৱহাৰ কৰা হয়; সেই বোৰ সাঙ্কেতিক চিনেৰে মানুহৰ ভাষা লিখা হয়।

মানৱ সৃষ্টিৰ পাছত ভাষাৰ সৃষ্টি আৰু ভাষা সৃষ্টিৰ বহু পাছত লিখাপঢ়াৰ সৃষ্টি। লিখাপঢ়াই ভাষাৰ চৰম পৰিণতি আৰু ভাবৰ চিৰন্তন প্ৰতিমূৰ্ত্তি। বৰ্ত্তমান মানৱ জগতত লিখাপঢ়াৰ ঠাই অদ্বিতীয়। লিপিকৌশলৰ দ্বাৰাই মানৱ সভ্যতা কিমান তৰিত বেগেৰে উন্নতি লাভ কৰিছে তাক কৈ শেষ কৰিব নোৱাৰি। কিন্তু ঠিক কোন সময়ত লিখাপঢ়াৰ সৃষ্টি হৈছে তাক এতিয়ালৈকে আমি জানিব পাৰা নাই। বুৰঞ্জী যিমানেই প্ৰাচীন নহক কিয় সি আদিম লিপিৰে সন্ততি মাথোন। সন্তানে মাকৰ জন্মকথা কব নোৱাৰে। প্ৰাচীন লিপি উদ্ধাৰ কৰি প্ৰত্নতত্ত্ববিৎসকলে আদিম লিপিৰ বিষয় জানিবলৈ প্ৰয়াস পাইছে; কিন্তু তেওঁলোকৰ আৱিষ্কাৰ বহুতো পৰিমাণে অনুমানৰ ওপৰত নিৰ্ভৰ কৰা।

লিখাপঢ়াই যে সভ্যতা বিস্তাৰৰ প্ৰধান সহায় তাক কোনেও নুই কৰিব নোৱাৰে। বৰ্ণমালাৰ ব্যৱহাৰ নাথাকিলে স্মৃতিশক্তি ছিন্‌ভিন্ হৈ পৰে আৰু ভাববোৰ নষ্ট হয়। এনেকৈ মনৰ উচ্চবৃত্তিবোৰ ক্ৰমাৎ শক্তিহীন হয়, বিবেকবুদ্ধি নিস্তেজ আৰু নিষ্ক্ৰিয় হয়, কল্পনাশক্তিৰ বেমেজালি ঘটে। তাহানি কালৰ গ্ৰন্থাদি মুখে মুখে ৰচিত আৰু শিকোৱা হোৱাৰ কাৰণে বেলেগ বেলেগ পাঠ, অসংযত ভাব আৰু ভাষাৰ বেমেজালি দেখা যায়। লিখাপঢ়াৰ সৃষ্টিৰ লগে লগে ভাষাৰ সৰ্ব্বাঙ্গীন স্থিৰতা জন্মে, ব্যাকৰণ সম্ভৱপৰ হয়।

মানৱ সৃষ্টিৰ লগে লগে লিখাপঢ়াৰ সৃষ্টি হোৱা নাই। মানৱ সৃষ্টিৰ বহু হেজাৰ বছৰ পাছত লিখাপঢ়াৰ সৃষ্টি হৈছে। লিখপঢ়া প্ৰথাটো ক্ৰমোন্নত সভ্যতাৰ নিদৰ্শন মাথোন। প্ৰাচীন ব্ৰাহ্মণসকলে লিখিবলৈ নাজানিছিল। জাৰ্ম্মাণীৰ প্ৰাচীন অধিবাসীসকলে সাহিত্যৰ কাৰণে আখৰ ব্যৱহাৰৰ বিষয় অনভিজ্ঞ আছিল। জগতৰ বহু প্ৰাচীন জাতিয়ে পাৰে মানে আখৰ ব্যৱহাৰ নকৰিছিল। অধ্যাত্ম তত্ত্বৰ অনুশীলনৰ কাৰণে তেওঁলোকে স্মৃতিৰ পৰিচালনাকে পৰম সাধনা জ্ঞান কৰিছিল আৰু তাৰ অনুষ্ঠানত প্ৰবৃত্ত আছিল। ছান্দোগ্য উপনিষদত বিজ্ঞানাদিতকৈও স্মৃতিশক্তিৰ প্ৰাধান্য স্থাপিত হৈছে। মহৰ্ষি সনৎকুমাৰে স্মৰণৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবৰ কাৰণে কৈছে, স যঃ স্মৰং ব্ৰহ্মেত্যুপাস্তে যাবৎ স্মৰস্য গতং তত্ৰাস্য যথা কামচাৰো ভৱতি—অৰ্থাৎ যি স্মৰণক ব্ৰহ্মজ্ঞানে উপাসনা কৰে, সকলো বস্তু তেওঁৰ স্মৰণগোচৰ হয়; তেওঁ কামচাৰী হব পাৰে। লিখাপঢ়া সৃষ্টিৰ আগতে তাহানি কালৰ মহাকাব্য, ধৰ্ম্মগ্ৰন্থাদি ৰচিত হৈছিল। লিপি প্ৰচলনৰ আগেয়ে স্মৃতিশক্তিৰ উৎকৰ্ষ সাধিত হৈছিল। লিপিকৌশল উদ্ভাৱনৰ পাছতো ধৰ্ম্মগ্ৰন্থাদিক লিপিবদ্ধ কৰা ধৰ্ম্মবিৰুদ্ধ আৰু নীতিবিৰুদ্ধ বুলি ধৰা হৈছিল। তাহানি কালত মুখে-মুখে সকলো গ্ৰন্থ ৰচিত হৈছিল আৰু মুখে মুখেই তাক শিকোৱা হৈছিল। এতিয়াও বহু তন্ত্ৰ-মন্ত্ৰ লিপিবদ্ধ কৰা নহয়, কাৰণ আমাৰ বিশ্বাস যে লিপিবদ্ধ কৰিলে তাৰ শক্তি নাইকিয়া হয়। গতিকে স্মৃতিশক্তিকে সভ্যতাৰ প্ৰথম নিদৰ্শন বুলিব পাৰি।

সৌন্দৰ্য্য আখৰৰ সাহায্যত প্ৰকাশিত হলেই সেই আখৰ বোৰৰ নাম হয় সাহিত্য। সমাজত যেতিয়া জ্ঞানৰ আৰু সাহিত্যৰ উদ্ভৱ হয় তেতিয়া তাক লিপি কৰিবৰ প্ৰয়োজন বোধ আৰু শক্তি জন্মে। পোন প্ৰথমে কোন দেশত লিখাপঢ়াৰ সৃষ্টি হল তাক জানিবৰ উপায় নাই। কোনো দেশৰ লিপি যদি বেলেগ বেলেগ দেশত ৰূপান্তৰিত হৈ প্ৰচলিত হৈছে তাৰ বিষয়েও কোৱা টান। পণ্ডিত সকলে বেলেগ বেলেগ ভাবেৰে অনুমান কৰিছে মাথোন। মানৱতত্ত্ববিদ্‌সকলে যত্ন কৰি ভূ-স্তৰ পৰীক্ষা কৰিছিল

বুলিয়ে মিচবব ঐতিহাসিক সভ্যতা ১০,০ • বছবব কব প্রাচীন নহয় বুলি জানিব পবা যৈছে। দুর্ভাগ্যক্রমে এতিয়ালৈকে ভালকৈ ভাবতবর্ষব ভূ-স্তবব পবীক্ষা হোৱা নাই। ১০,১০০০ আগব বছবব পবা প্রাচীনব ফালে ৭০,০০০ বছবলৈকে যে ভাবতত মানৱলীলা অভিনীত হৈছিল তাব প্রমাণ ওলাব লাগিছে। আৱিষ্কাবব ফলত আৰু নতুন তথ্য ওলাবব সম্ভাবনা। ভাবতবর্ষ, গ্রীচ, মিচব, বেবিলন, চীন আদি ঠাই প্রাচীন শিল্পব কাবণে প্রসিদ্ধ। মিচবব পবাই ভাস্কবশিল্প, চিত্রকলা, লিপি কৌশল, জ্যোতির্বিদ্যা প্রভৃতি গ্রীচ দেশত সংক্রামিত হৈছিল আৰু গ্রীচব সভ্যতাই বোম সাম্রাজ্যত বিকাশ লাভ কবি সমগ্র ইউবোপত সভ্যতা বিস্তাব কবিছিল। অতি প্রাচীনকালত বেবিলন আৰু আচীবিয়াব মানুহে কেঁচা ইটাব ওপবত আখব লিখি সেই ইটা পুবি যিবোব কিতাপ বচনা কবিছিল, যুগযুগান্তব পাছত সেই লিপি অবলম্বন কবিয়েই ঘাইকৈ বেবিলনব প্রাচীন বুৰঞ্জী গোটোৱা হৈছে। অতি প্রাচীন কালব ফিনিচিয়ান নামে প্রসিদ্ধ বণিক জাতিয়ে মিচবব লিপি কৌশল আৰু আন আন সভ্যতাব ফল গোটাইছিল। ইউবোপ, এচিয়া আৰু আফ্রিকাব বহু ঠাইত ফিনিচিয়ান বিণাকে বেহা-বেপাব কবি ফুবিছিল। এই ফিনিচিয়ান বিণাকব পবাই গ্রীচব মানুহে বর্ণমালা আৰু আন আন সভ্যতাব উপাদান সংগ্রহ কবিছে। চীনব সভ্যতাব প্রকৃতি নতুন ধবণব। ইহঁতব ভাষা শিকা টান। ইহঁতব প্রতি আখবকে হেনো একোটা শব্দ বুলিব পাবি। আর্য্যলিপি বাওঁফালব পবা সোঁফালেলৈ লিখি যোৱা বীতি আৰু চেমেটিক লিপিত সোঁফালব পবা বাওঁফাললৈ লিখি যোৱা নিয়ম। চীন ভাষাত ওপবব পবা তললৈ আখব লিখি যাব লাগে আৰু এফাঁকিব পাছত আন ফাঁকি সোঁফালব পবা বাওঁফাললৈ লিখা নিয়ম। লিখাব প্রথা আৰু আখবব গঢ়লৈ চাই অনুমান কবিব পাবি যে ৪৫ হেজাব বছব আগেয়ে আন কোনো জাতিব আখব ধাব নকবাকৈয়ে চীনবাসীয়ে লিপিকৌশল উদ্ভাবন কবিছিল। ভাবনী শক্তিত যে ইহঁত বব চোকা তাক স্বীকাব কবিব লাগিব। গ্রন্থাদি ছপাবব কাবণে চীনাসকলে যি যুগত মুদ্রাযন্ত্রব আবিষ্কাব কবিছিল সেই যুগত এই ফালব বহ সভ্য জাতিয়ে লিখিবও শিকা নাছিল।

ভাবতব লিপি এক সময়ত মধ্য এচিয়াব সবহভাগ জাতিব ভিতবত ব্যাপ্তহত হৈছিল। সিবোব দেশত এতিয়া পাৰ্চীলিপিব চলন। তিব্বতব লিপি ভাবতীয়, উত্তব ভাবতব পবাই গৈছিল। মধ্য এচিয়াত খবোষ্ঠী আৰু "ব্রাহ্মী" এই দুই প্রকাব লিপি প্রচলিত আছিল। খবোষ্ঠী অলপ প্রাচীন যুগব লিপি আৰু ই অলপ ঠাইব ভিতবত সীমাবদ্ধ আছিল। খোটানব ওচবত নিয়া নামব নৈব দাঁতিত খননকার্য্য কবাতে বহু শত কাঠলিপি পোৱা গৈছিল। লিপিবোবব আখব "খবোষ্ঠী"—ভাষা প্রাকৃত। এই প্রাকৃত ভাষামূলক সভ্যতা যুগব পাছত আমি খোটান আৰু তাব ওচবচুবুবীয়া ঠাইবোবত প্রাকৃতভাষা আৰু খবোষ্ঠী লিপিব সলনি ব্রাহ্মী-লিপি আৰু খোটানী বা শক ভাষা পাওঁ। বর্ত্তমান আবিষ্কাবত খবোষ্ঠী লিপিকেই প্রাচীনতম লিপি বুলি ধবা হৈছে।

ভাবতবর্ষত লিখনব প্রবেশ সম্বন্ধে মতভেদ আছে। বহুতে অনুমান কবে যে লিখন প্রথাটো পোন প্রথমে ফিনিচিয়ান বিণাকে ভাবতবর্ষলৈ আনে। যি হ'ক লিখন প্রণালী খৃষ্টপূর্ব্ব ৭ম শতাব্দীত ভাবতবর্ষত প্রবেশলাভ কবিছিল বুলি পণ্ডিতসকলে সিদ্ধান্ত কবিছে। অন্তত আৱিষ্কাবব দ্বাবাই আৰু নতুন তথ্য ওলাবব সম্ভাবনা আছে। প্রথমতে লিখাপঢ়া অকল বাজকার্য্য নির্ব্বাহনব কাবণে ব্যাপ্তহত হৈছিল। সম্ভ্রান্ত বাজকর্ম্মচাবী সকল সংস্কৃত ভাষাত পাৰ্গত নাছিল আৰু তেওঁলোকে প্রাকৃত ভাষাত লিখাপঢ়া কবিছিল। সিইতে প্রাকৃত ভাষাত যি বৈ গৈছিল তাবেই ভাট, চাবণ, কথকসকলে প্রাকৃত ভাষাত ছন্দোবদ্ধ বিবৰণ বচনা কবি তাকে আবৃত্তি কবি সিইতব প্রভুব তুষ্টি সাধন কবিছিল। পাছত উত্তব ভাবতত সংস্কৃত ভাষাত পবিবর্ত্তিত হৈ খবোষ্ঠী লিপিও লিপিবদ্ধ হৈছিল। খবোষ্ঠী লিপি অকল গান্ধাব আৰু তাব ওচবব প্রদেশ বিলাকত প্রচলিত আছিল। তাহানি ভাবতবর্ষত নানা প্রকাব আখব প্রচলিত আছিল। তাব ভিতবত সর্ব্বপ্রধান ব্রাহ্মী। ব্রাহ্মণব ব্যাপ্তহত বা ব্রহ্ম নিকপক গ্রন্থাদিত ব্যাপ্তহত হৈছিল বুলি বোধকবোঁ ইয়াক ব্রাহ্মী আখব বোলা হৈছিল।

পৃথিবীব ভিতবত নানা প্রকাব লিপিব প্রচলন আছে। এটা পুবণি লিপিব পবাই কেবাবিধ নতুন লিপিব উদ্ভব হৈছে আৰু কোনো কোনো লিপি স্বাধীনভাবে উদ্ভব হৈছে। কিন্তু আমি আগতে কৈ আহিছোঁ যে প্রথমতে কোন লিপি কোন সময়ত আবিষ্কাব হৈছে তাব সঠিক বিবৰণ পোৱা টান। পুবণি তথ্য আবিষ্কাবব লগে লগে নতুন তথ্য ওলাব লাগিছে।

পোন-প্রথমে মানুহে কাঠব ওপবত, শিলব ওপবত নাইবা কেঁচা ইটাব ওপবত লিখি তাক পুবি যৈছিল। কাঠ আৰু শিলব ওপবত খোদিত কবিব পাবাকৈ আখব বোব কবা হৈছিল। তাব পাছত ক্রমাং গছব পাত, বাকবি আৰু গকছাগলী আদিব ছালত আখব লিখা হৈছিল। গছলতাব বসেবে চিয়াহী কবা হৈছিল। পৃথিবীব ভিতবত কেবাবিধো আখবব সৃষ্টি হৈছিল। ভাষাব নিচিনা লিপিকো কেনো ভাগত বিভক্ত কবিব পাবি। তাহানি কালত মিচব আদি দেশব ভাষাজ্ঞাপক চিনবোবে নানাবিধ চবাই-চিবিকতি প্রাণীব আকাবব নিচিনা আছিল। চীনদেশব চিত্রভাষা এতিয়াও বিদ্যমান আছে বুলি শুনা যায়। প্রত্যেক ভাষাব যেনে এটা নিজস্ব সুব আৰু বিশেষত্ব আছে তেনে তাব লিপিব বিশেষত্ব যোজনা-কৌশলো আছে। যুগে যুগে সকলো ভাষাই সংস্কৃত হৈছে আৰু তাব লগে লগে লিপি সংস্কাবো হৈছে।

ভাষাব যেনে দুই আকাব লিখা আৰু কোৱা আখবলো তেনে দুই আকাব। এক আকাব কিতাপত ব্যাপ্তহত আৰু আৰু আন আকাব সাধাবণ লিখাপঢ়াত প্রচলিত। প্রথম আকাব পূর্ণাবয়ববিশিষ্ট আৰু দ্বিতীয় আকাব তাব অসম্পূর্ণ ভগাকাব। যি ফটফটীয়া আখবত কিতাপাদি লিখা হয় তাব ৰূপ একবকম আৰু সেই আখববেই লবালবিকৈ লিখাত যি ৰূপ হয় সি অন্য বকম। যেনেকৈ কোৱা ভাষাত কিতাপ লিখা আৰু লিখা ভাষাত কথা কোৱা অনিয়ম, তেনেকৈ কিতাপব আখবত চলিত লবালবিকৈ লিখা আৰু চলিত লবালবিকৈ লিখা আখবত কিতাপ লিখাও অনিয়ম। কিন্তু সকলো দেশতেই এই নিয়মব ব্যতিক্রম দেখা যায়। ভাষা মুখত যেয়ে যিদবে নকৰক, লিখাত স্থিব থাকিংেই হয়। কিন্তু সংস্কৃতব কিছুমান কথিত ভাষাক লিখিত কবাতে এই লবালবিকৈ লিখা আখব ব্যাপ্তহাব কবা হৈছে। ই অনিয়ম। লবালবিকৈ লিখাত মানুহে কেতিয়াও আখববোব পূর্ণাবয়ব কবি লিখিলে। কিতাপব ভাষা ব্যতিক্রম হলে মৌখিক ভাষাব লবচব হয়। লিখা ভাষা মৌখিক ভাষাব বন্ধন স্বৰূপ। যদি কিতাপব লিখা স্থিব থাকে তেনেহলে চলিত লিখাব বেছি ৰূপান্তব নহয়। চলিত আখবোবাব সংস্কৃতব পবা অসমীয়া, বঙলা ভাষাত যিমান ব্যতিক্রম হৈছে—হিন্দুস্থান আৰু উৎকল দেশত তিমান হোৱা নাই।

লিপি অসম্পূর্ণ হলে ভাষাও অসম্পূর্ণ হয়। চিমেটিক বর্ণমালা মাণোন' ২টা আৰু ইয়াব পবা মাণোন ১৮টা স্বব উচ্চাবিত হয়। আবেবীব বর্ণসংখ্যা ৩০টা কিন্তু ইয়াব পবা সেই ১৮টা স্বববে ওলায়। সংস্কৃত ভাষাব বর্ণমালাব নিচিনা বৈজ্ঞানিক বর্ণমালা আৰু কোনো ভাষাতে নাই। অসমীয়া ভাষাব বর্ণমালা সংস্কৃতব নিচিনা; তদুপবি ছটা এটা অতিবিক্ত ধ্বনিও আমাব ভাষাত আমি ব্যাপ্তহাব কবোঁ। প্রাচীন ভাবতব ব্রাহ্মীলিপিব ক্রমবিকাশব ইতিহাস অনুসন্ধান কবিলে জানা যায় যে এই লিপিয়ে সংস্কৃত ই ক্রমাং বর্ত্তমান যুগত সুসভ্য দেবনাগবী বা হিন্দী আখবত পবিণত হৈছে। চিমেটিক লিপিব পবা আববী, ফার্চী আদি লিপিব উৎপত্তি। আগেয়ে এই চিমেটিক লিপিব প্রভাব বহুতো আছিল। এই লিপিব পবাই হিব্রুটিক, ফিনীচিয়ান, চেবিয়ন আদি লিপিব উদ্ভব হৈছে আৰু গ্রীক্ আৰু লেটিন বর্ণমালাত ইয়াব বিশেষ আধিপত্য। অতি সভ্য ইংবাজী বর্ণমালাই চিমেটিকবেই জয়ঘোষণা কবিছে, বর্ণমালাব গঠনশৈলীব আৰু বর্ণবিন্যাসত হে যি অলপ লবচব আছে। প্রাচীন ভাবতত প্রচলিত খবোষ্ঠী লিপি আববীব নিচিনা সোঁফালব পবা আবম্ভ কবি বাওঁফালে শেষ হৈছিল। আৰু পাবস্তব প্রাচীন লিপি অসমীয়া, সংস্কৃতব নিচিনা বাওঁফালব পবা আবম্ভ কবি সোঁফালে শেষ হৈছিল। এই দুই লিপিব ক্রমবিকাশব বুৰঞ্জীও আচবিত ধবণব। অসমীয়া, সংস্কৃত প্রভৃতি বর্ণমালাত যেনে ক-বর্গ, ত-বর্গ ইত্যাদি বৈজ্ঞানিক বর্গীকবণ আছে আৰু ইবোবব কণ্ঠ্যবর্ণ, ওষ্ঠ্যবর্ণ, দন্ত্যবর্ণ ইত্যাদি

যেনে সুনিপুণভাৱে সজোৱা, এনে সজোৱা আৰু সুবিন্যস্ত বৰ্ণমালা আৰু কোনো ভাষাত নাই। চিমেটিক লিপিৰ লগত ভাৰতীয় লিপিৰ বিশেষ বিশেষত্ব এই যে শব্দৰ লগত ব্যৱহৃত বৰ্ণৰ পাঠৰ লগত বেলেগ বৰ্ণৰ পাঠৰ অনৈক্য। এই বৈষম্য ভাৰতীয় লিপিত নাই। ভাৰতীয় লিপিত লিখা কোনো শব্দৰ কোনো ঠাইত ক বা গ লিখা হলে তাক ক বা গই পঢ়া হয়; কিন্তু চিমেটিকৰ উচ্চাৰণৰ ৰূপ পৰিবৰ্ত্তিত হৈ সি কাফ্ বা গিমেল, আৰবী ফাৰ্চিত কাফ্ বা গাফ্ আৰু ইংৰাজীত কে বা জী উচ্চাৰিত হয়। আৰবী ফাৰ্চীত হ্ৰস্ব-দীৰ্ঘজ্ঞাপক কোনো চিন নাই।

বুদ্ধদেৱৰ মৃত্যুৰ ২০০ বছৰ পাছত মগধৰাজ অশোকে তেওঁৰ অনুশাসনমালা খোদিত লিপিৰ দ্বাৰাই প্ৰচাৰ কৰে। সেই লিপিৰ নাম "অশোকলিপি" আৰু ই প্ৰাচীন ব্ৰাহ্মীলিপিৰেই প্ৰকাৰভেদ মাথোন। ইয়াৰ পৰা বুজা যায় যে বুদ্ধদেৱৰ সময়তো ব্ৰাহ্মীলিপি প্ৰচলিত আছিল, অৱশ্যে প্ৰদেশ বিশেষে আখৰৰ তাৰতম্য আছিল। অশোক লিপি বা মগধলিপি ৰাজসভাৰ লিপি আছিল আৰু অশোকৰ ৰাজসভাৰ আখৰেৰেই অনুশাসনবোৰ খোদিত হৈছিল। দুই এঠাইত মাথোন খৰোষ্ঠী লিপিৰে খোদিত কৰা হৈছিল। তেতিয়া উত্তৰ ভাৰতত অশোকলিপি সাধাৰণৰ বোধগম্য আছিল। এই অশোকলিপিয়ে ক্ৰমাৎ "তঙ" লিপি আদিত পৰিবৰ্ত্তিত হৈ শেহত দেৱনাগৰী আখৰত পৰিণত হৈছে। ৭ম খৃষ্টাব্দত নাগৰীলিপি প্ৰচলিত আছিল আৰু সি নাগালিপি নামেৰে অভিহিত হৈছিল। কিছুমান পণ্ডিতে কয় যে গুজৰাট প্ৰদেশত যি "বড়নগৰ" বা "নগৰ" নামে ঠাই আছে তাতে গুজৰাট প্ৰদেশৰ প্ৰভাৱশালী নাগৰ ব্ৰাহ্মণসকলে আদিতে বাস কৰিছিল আৰু এই নাগৰ ব্ৰাহ্মণসকলে নাগৰী আখৰৰ সৃষ্টি কৰিছিল। কিন্তু এই কথা আকৌ বহুতে বিশ্বাস নকৰে।

বৌদ্ধধৰ্ম্মই অসমত বিশেষ প্ৰতিষ্ঠালাভ কৰিব পৰা নাছিল আৰু অশোকৰ খোদিত অনুশাসনো এতিয়ালৈকে ইয়াত আবিষ্কাৰ হোৱা নাই। অশোকৰ পাছত গুপ্তবংশী ৰজাসকলৰ সময়ত গুপ্তলিপিয়ে অসমত প্ৰবেশ কৰে। গুপ্তবংশৰ অৱনতিৰ পাছত গুপ্তলিপিৰ পৰা "কুটিল" প্ৰভৃতি আখৰৰ উদ্ভৱ হয়। এই কুটিল লিপিয়ে অসমীয়া লিপিৰ জননী। চীন পৰিব্ৰাজক হিউৱেন চাঙৰ কথাৰ পৰাও ই প্ৰতিপন্ন হয়। অৱশ্যে কুটিল আখৰ বুলি কোনো আখৰ নাই। পুৰণি দেৱনাগৰ আৰু কুটিল লিপি একে লিপি। আজিকালি আমি যি অসমীয়া আখৰ ব্যৱহাৰ কৰো তাহানি কালত অসমীয়া আখৰ এনেকুৱা নাছিল। আমি এতিয়া নিজে উজু কৰি লৈছোঁ; কাৰণ আখৰৰ স্বাভাৱিক গতি সাৰল্যৰ পিনে—কাঠিন্যৰ ফালে নহয়।

বৰ্ত্তমানৰ দেৱনাগৰ আখৰ প্ৰাচীন অশোক লিপিৰ পৰিণতি মাথোন। অশোক ৰজাৰ সময়ত নাগৰী আখৰৰ উৎপত্তি হোৱা নাই। দেৱনাগৰী আখৰৰ পৰা বঙলা আখৰ ওলাইছে। বঙালী লিপিতকৈ অসমীয়া লিপি যে প্ৰাচীন, দুই প্ৰদেশৰ নতুন আৰু পুৰণি লিপি বিজাই চালে প্ৰমাণ পোৱা যায়। Alfurin's India কিতাপত একাদশ শতাব্দীত "সিদ্ধমাতৃকা", "গৌড়ী", "নন্দিনাগৰী" আদি লিপিৰ কথা উল্লেখ আছে। ইবোৰ দেৱনাগৰীৰ প্ৰকাৰ ভেদ মাথোন। অষ্টম শতাব্দীৰ পৰা দ্বাদশ শতাব্দীৰ ভিতৰত দেৱনাগৰী আখৰৰ পৰা বঙলা লিপিৰ উৎপত্তি হৈছে বুলিহে বঙালী পণ্ডিতসকলে অনুমান কৰিব পাৰিছে।

ভাৰতবৰ্ষ

—কবিতা

—শ্ৰীযুত ৰত্নকান্ত বৰকাকতী

জলধি যেতিয়া বন্দে অকলে, গৰজি গৰজি
চুম্বি অম্বৰ, প্ৰথমে
ধাতাক স্মৰি,
ওপৰে প্ৰদীপ চন্দ্ৰ সূৰ্য্য জলি শাৰী শাৰী
ভাহে নভোনীল, বিশ্ব
প্ৰদক্ষিণ কৰি।
তেতিয়া নাছিল কোনো মানৱৰ, বন্দনা ৰৱ
কণ্ঠক্ষৰিত কোনো
সুমধুৰ গীত,
গাভী যেন বৎসহাৰা গৰজে অকলে সিন্ধু
আকুল ব্যাকুল স্বৰে
উত্ৰাৱল চিত।
বেদনাব্যাকুল ভাব দেখি সি সিন্ধুৰ যেন
বুজিলে স্ৰষ্টাই নিজ
সৃষ্টি ব্যতিক্ৰম,
ইচ্ছা হ'ল "হক এক সিন্ধুৰ গৰ্ভতে এই
বন্দনা ব্যাকুল ব্যথা
জন্ম অনুপম।

মৃণ্ময়ী মূৰ্ত্তিৰে এটি চিন্ময়ী বাণী ৰূপ"
মূৰ্ত্তিমতী ইচ্ছা সেই
ইচ্ছোঁতাজনৰ;
পুলকি উঠিল আহা শত ইন্দু উদয়েৰে
নচুৱাই জোৱাৰত
জলধি পুনৰ!
চাওঁতে চাওঁতে সেই মহাজলধিৰ
বক্ষ ভেদি উঠি যেবে
কৰা টল্‌মল্,
জগতৰ সভ্যতাৰ পঙ্ক সলিলত ফুলা
এটি যেন নবোদ্ভিন্ন
পুষ্প শতদল।
অন্তৰীক্ষে অন্তৰীক্ষে সিদিনা হঠাৎ যেন
দেৱতা সকল আহা
হই অভিভূত,
তুলিলে হৰ্ষৰ ধ্বনি আদৰি তোমাক মাতৃ
'সদ্যস্নাতা মৰ্ত্ত্যদেবী'
বুলি 'আবিৰ্ভূত'।
আকাশৰ পথে পথে দিব্যাঙ্গনা সৱে মিলি
বিহৰি ফুৰোঁতে যেন
থমকি হঠাৎ,
পুলকিত নয়নেৰে চাই গল এটিবাৰ
বৃষ্টি কৰি কৰুণাৰ
দৃষ্টিপাৰিজাত।
গন্ধৰ্ব্ব কিন্নৰ যক্ষ আৰু ৰক্ষ সৱে মিলি
কৌতূহলোদ্দীপ্ত চিত্তে
শূন্যৰ পথত,
যোৰকৰ কৰি যেন ধৰিত্ৰীৰ পিনে চাই
হল সৱে অন্তৰৰ
ভক্তিত প্ৰণত।
সিদিনাই উৰ্দ্ধে অধেঃ পূৰুৱে পশ্চিমে আৰু
হল জানো পলকতে
অপূৰ্ব্ব ঘোষণা—
এই ভাৰততে হব "বিশ্বমানৱৰ এক
সংঘটিত মহালীলা"
—অনন্ত প্ৰেৰণা।

তাৰ পিছে কোনে জানে কত যুগ যুগ ধৰি
জগৎ জননী মোৰ
ভাৰতবৰ্ষৰ,
অন্তৰ বাহিৰ আহা অতুল ঐশ্বৰ্য্যে ভৰি
উঠিল কোঢ়াল সি যি
বিপুল হৰ্ষৰ!
পদপ্ৰান্তে জননীৰ সফেন তৰঙ্গমত্ত
সিন্ধুৰ অতল তল
কৰি টল্‌বল্
কোটি কোটি শুক্তিহৃদি মুকুতাৰাজিৰে ভৰি
উপচি পৰিল আহা
নৱ নবোজ্জ্বল।
খনিয়ে খনিয়ে কত মাণিক্যই শত
ঢালি দীপ্তি লালসাৰ
লগালে চমক,
কলনাদী সিন্ধুগঙ্গা কাবেৰীৰ তীৰে তীৰে
স্নিগ্ধ শ্যাম ক্ষেত্ৰ হল
ৰমক্ জমক্।
বসুমতী আই যেন চেনেহতে পমি গই
বুকু ছিৰি আপোনাৰ
অনন্ত সম্ভাৰ,
উদঙাই দিলে আহা অপৰ্য্যাপ্ত অন্ন দান
সন্তানৰ সমুখত
মেলি দি ভণ্ডাৰ।
তাৰ পিছে কোনে জানে কোন দূৰ অতীতত
আহা কোন সিটি দিনা
জননী আহ্বান,
চিৰ তুষাৰেৰে ঢকা অকস্মাৎ গই বাৰু
কোন সি দেশৰ এক
পশিলে পৰাণ।
নিষ্ঠুৰ মৰুৰ বক্ষ ভেদ কৰি দুৰাৰোহ
পৰ্ব্বত মালাৰ কত
অভ্ৰভেদী চূড়া,
অতিক্ৰমি কত শৃঙ্গ লঙ্ঘি কত ঘন বন
সেই আদি সভ্যতাৰ
আদি সৃষ্টি কৰা,

আদি পুবোহিতবৃন্দ মানৱৰ সভ্যতাৰ
উদিলেহি ভাৰতত
আহি ক'ৰ পৰা—
কিবা অভিনৱ মূৰ্ত্তি কিবা ভাৱ অভিনৱ
পৰিপূৰ্ণ পুলকতে
নৱোল্লাসে ভৰা ?
উন্নত মস্তক সেই বক্ষ সুবিশাল
প্রশস্ত ললাট যাৰ
তেজোপুঞ্জ দৃষ্টি,
দীর্ঘ কলেৱৰ সৱ সৱল সৱল মন
প্রবেশিলে ভাৰতত
আর্য্যৰ মুবতি।
কল্পনাৰ নেত্র ভৰি দেখি সি অপূর্ব্ব দৃশ্য
পুলকে বিহ্বল ঘোৰ
আজি প্রাণমন,
প্রথমে সি সিন্ধুতীৰ ৺কপি উঠা তিৰবিৰ
পূর্ব্ব দিগন্তৰ বাগে
কনক বৰণ।
জবাকুসুম সংকাশ কাশ্যপেয় মহাদ্যুতি
আহে যেবে উঠি ধীবে
বিস্ফাৰি তমসা,
সিদিনা কি বিস্ময়েৰে চাইছিল আর্য্যসবে
চিবতুষাৰৰ সেই
লভি নব আশা।
সেই দ্যুতি কৰস্পর্শ লভি যেন প্রথমতে
ধৰিত্রীৰ অন্ধকাৰ
হল দূৰীভূত,
অপূর্ব্ব ই ধৰণীৰ সি যে এটি কি যে দিন
জগতৰ বুৰঞ্জীত
জ্যোতির্ম্মণ্ডিত !
সিদিনাই সূত্রপাত পৃথিবীৰ মানুহৰ
অজ্ঞানতা অন্ধকাৰ
দূৰীভূত হোৱা,
সিদিনাই ভাৰতৰ ভাবী সিদ্ধি তাপসৰ
মৱতত অমৃতৰ
বার্ত্তা অনি দিয়া।

সেই এটি গত দিন হিন্দু জীৱনৰ সেই
বন কুঞ্জ ভবনৰ
পঞ্চনদীৰ,
তাপস কবিৰ যত পিককণ্ঠে আনন্দৰ
উঠিছিল সামধ্বনি
ধ্বনি সুগম্ভীৰ।
শুনি সি অমৃতগান বনে বনে উচ্ছাসত
উঠে যত তৰুলতা
হই মুজবীত,
লগে লগে আবেগত তাপস কবিৰ সেই
উঠে আৰু ফুলি ফুল
বৃক্ষ বল্লবীত।
দ্রুপবীয়া শুণ্ শুণ্ বননি ছুঁয়াত যেন
বাজে বীণ আকাশৰ
মধুৰ গুঞ্জন,
বন কপোতৰ আৰু পৰাণ উদাস কৰা
উটি যায় আকাশত
স্বৰ ববিষণ।
তৰুতল ভৰি থকা শুকান পাতৰ পিন্ধি
নুপুৰ, মৰ্ম্মৰি আহা
আহে সমীৰণ,
পর্ণ কুটিবত যেবে শান্ত ধ্যানময় ঋষি
কবেঁা বুলি ব্রহ্মাণ্ডৰ
বহস্য মোচন।
কোন সি প্রথম প্রাণ লভি আত্মপবিচয়
উচ্চাবি উঠিল কোন
ঋষিৰ সি কণ্ঠ—
"শুনা বিশ্ব অমৃতৰ পুত্রসব ! জানিছোঁহে
অন্ধকাৰ ভেদি, মই
পুৰুষ মহান্ ।"
"আদিত্য-বর্ণৰ দবে" যাক জানিলেই নবে
মৃত্যুকো লঙ্ঘিব পাবে
জড়ৰ জঞ্জাল,
সেয়ে মাথোঁ এক সত্য বিশ্ব ভুবনৰ এই
তৃণতক ওষধিতো
বিবাট বিশাল। —ক্রমশঃ

সত্যাগ্রহ আন্দোলন

—শ্রীযুত তাৰক চন্দ্র শর্ম্মা

১৯১৯ খৃঃত ভাৰতবর্ষত প্রবর্ত্তন কৰা শাসনসংস্কাৰ কিমানখিনি সফল হ'ল আৰু ভাৰতবর্ষক কিমানখিনি শাসনসংস্কাৰ দিব পাৰি, ইয়াকে তদন্ত কৰিবলৈ ছাইমন কমিশ্বন নিয়োগ কৰা হয়। ভাৰতবাসীয়ে এই কমিশ্বন বর্জ্জন কৰাত গৱর্ণৰ জেনেৰেল লর্ড আৰুইন বিমোৱত পৰিল। ইফালে কংগ্রেছৰ আন্দোলনে ভাৰত গৱর্ণমেণ্টৰ থৰকাছুটি হেকৰাইছিল। লর্ড আৰুইনে উপায়ান্তৰ নেদেখি পৰামর্শ কৰিবলৈ বুলি বিলাতলৈ যায়। তাত মন্ত্রীসকলৰে দিহা-পুণ্ডতি হৈ ভাৰতবর্ষলৈ উভতি আহে আৰু ১৯২৯ খৃঃৰ ৩১ অক্টোবৰ তাৰিখে ভাৰতীয় সমস্যা সমাধান কৰিবলৈ সকলো বাজনৈতিক দলৰপৰা



মহাত্মা গান্ধী

প্রতিনিধি লৈ বাউণ্ড টেবোল কন্‌ফাৰেন্স পতাৰ কথা ঘোষণা কৰে।

এই ঘোষণাৰ কথা আলচ কৰিবলৈ আমাৰ নেতা-সকলে দিল্লীত এখন সভা পাতে। সেই সভাত থিৰ হয়



মহাত্মা গান্ধীৰ পত্নী শ্রীযুতা কস্তুৰীবাঈ গান্ধী

যে প্রধান প্রধান বাজনৈতিক সংঘবোৰৰ সমর্থন পাবলৈ হলে গৱর্ণমেণ্টে পোনতে এই কেইটা কাম কৰিব লাগিব—

(১) দেশলৈ আৰু শান্তিপূর্ণ অৱস্থা আনিবলৈ গৱর্ণমেণ্টে দমননীতিমূলক শাসন এৰিব লাগিব।

(২) বাজনৈতিক ফাটেকিয়ালসকলক ফাটেকবপৰা মুকলি কৰি দিব লাগিব।

(৩) মুখিয়াল বাজনৈতিক প্রতিষ্ঠানবোৰবপৰা উপযুক্ত সংখ্যক প্রতিনিধি লব লাগিব। এইবিলাক প্রতিষ্ঠানৰ ভিতৰত কংগ্রেছ সবাতো শ্রেষ্ঠ বুলি কংগ্রেছক প্রাধান্য দিব লাগিব।

নেতাসকলৰ এই ইস্তাহাৰ প্ৰচাৰ হোৱাৰ পিছত গৱৰ্ণৰ জেনেৰেলে ১৯২৯ খৃষ্ট ২৩ ডিছেম্বৰ তাৰিখে



৺ পণ্ডিত মতিলাল নেহৰু

মহাত্মা গান্ধী, পণ্ডিত মতিলাল নেহৰু, মিষ্টৰ ভি, জে, পেটেল, ছাৰ তেজ বাহাদুৰ ছাপ্ৰু আৰু মিষ্টৰ জিন্নাৰ লগত



আইন অমান্য আন্দোলনৰ সময়ত নগাঁওৰ (মুনিহ-মহিলা) সত্যাগ্ৰহীসকলৰ শোভাযাত্ৰা

তিন ঘণ্টা কাল আলোচনা কৰে। আলোচনাত একো সিদ্ধান্ত নহ'ল।

ভাৰতীয় সমস্যা সমাধান কৰিবলৈ গৱৰ্ণমেণ্টৰ মই-মতালি, আওকণীয়া ভাব আৰু আন্তৰিকতাৰ অভাৱ দেখি ডেকা নেতা জহৰলাল নেহৰুৰ সভাপতিত্বত বহা লাহোৰ কংগ্ৰেছে ১৯২৯ খৃষ্ট ৩১ ডিছেম্বৰৰ দিনা দোভাগ বাতিৰ পিছত পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। তাৰে ছদিন



বাবু ৰাজেন্দ্ৰ প্ৰসাদ

পিছত, ১৯৩০ চনৰ ২ জানুৱাৰী তাৰিখে কংগ্ৰেছ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ২৬ জানুৱাৰী তাৰিখে দেশজুৰি



সত্যাগ্ৰহী সকলৰ গুৱাহাটীৰ কাণেৰৰ ৰঙাৰত পিকেটিং

'স্বাধীনতা দিন' পালন কৰিবলৈ এটা প্ৰস্তাৱ গ্ৰহণ কৰে। জানুৱাৰীৰ ৯ তাৰিখে মহাত্মা গান্ধীয়ে আইন অমান্য



শ্ৰীযুতা সৰোজিনী নাইডু

আন্দোলনৰ সংকল্প প্ৰকাশ কৰে। মহাত্মাৰ সংকল্পবোৰ দেখি আৰু কংগ্ৰেছত স্বাধীনতাৰ প্ৰস্তাৱ পাছ হোৱা দেখি ভাৰতীয় ব্যৱস্থা পৰিষদ মুকলি কৰোঁতে গৱৰ্ণৰ লৰ্ড আৰুইনে



ডাঃ চৈফৰাম, চৰ্দ্দাৰ শাৰ্দ্দুল সিং, মিঃ জয়ৰাম দাস দৌলতৰাম

কৈছিল—"লক্ষ্য আঙুলিয়াই দিয়াটো লক্ষ্য পোৱাৰপৰা তেনেই বেলেগ।"

২৬ জানুৱাৰী তাৰিখে ভাৰতবৰ্ষৰ সাতো লাখ ঘাৰত স্বৰাজৰ সংকল্প গ্ৰহণ কৰা আৰু জাতীয় পতাকা উৰুৱা হয়। ৩১ জানুৱাৰী তাৰিখে মহাত্মা গান্ধীয়ে ১১টা চৰ্ত্ত



শ্ৰীযুত যতীন্দ্ৰ মোহন সেনগুপ্ত

দি গৱৰ্ণৰ জেনেৰেলক জনাইছিল যে এইবোৰ চৰ্ত্ত গৱৰ্ণমেণ্টে মানি ললে আইন অমান্য আন্দোলন আৰম্ভ কৰা নহয় আৰু কংগ্ৰেছে বাউণ্ড টেবোল কনফাৰেন্সত



শান্তিকটকী শ্ৰীযুত এম্-আৰ জয়াকৰ

যোগ দিব। চর্ত্তবোৰ এই—(১) ৰাণীগাল বস্ত্ৰ তেনেই বন্ধ কৰিব লাগিব, (২) টকাৰ মূল্য ১ শিলিং ৪ পেন্স



ডাঃ মামুদ মিঃ কাশেম আজাদ

দেশী শিল্প ৰক্ষা কৰিব লাগিব, (৮) উপকূল বাণিজ্য পোত ভাৰতীয়সকলৰ কাৰণে ৰাখিব লাগিব, (৯) অহিংস



যাৰবেদা জেল

কৰিব লাগিব, (৩) মাটিৰ খাজনা আধা কমাব লাগিব, (৪) লোণৰ খাজনা তুলি দিব লাগিব, (৫) পোনতে সামৰিক খৰচ আদখিনি কমাব লাগিব, (৬) খাজনা কমোৱাৰ কাৰণে যি টকাৰ নাটনি পৰিব, তাক পূৰাবলৈ



ডাক্তৰ এম, এ, আন্সাৰী

ডাঙৰ ডাঙৰ চাকৰিয়ালসকলৰ দৰমহা আধা কাটি লাগিব, (৭) বিদেশী কাপোৰৰ ওপৰত খাজনা বহুৱাই



শ্ৰীযুতা চন্দ্ৰপ্ৰভা শইকীয়ানী

ৰাজনৈতিক ফাটেকিয়ালক মুকলি কৰি দিব লাগিব, (১০) ৰাজনৈতিক গোচৰবোৰ তুলি লব লাগিব, ১২৯৫ ধাৰা আৰু ১৮১৮ চনৰ ৩ আইন বদ কৰিব লাগিব আৰু



অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ অফিছ নিৰ্ব্বাসিত ভাৰতীয়সকলক স্বদেশলৈ উভতি আহিবলৈ অনুমতি দিব লাগিব, (১১) চোৰাংচোৰা-বিভাগ তুলি

মহাত্মাই এই চর্ত্তবোৰ নামঞ্জা সাউদ শ্ৰীযুত ৰোমাৰজীৰ হাতুৰাই ঘাই মন্ত্ৰী মিঃ বামজে মেক্‌ডোনাল্ডকো জনাইছিল। কিন্তু ঘাই মন্ত্ৰী কিয়া ৰবলাট কাৰোপৰা



পণ্ডিত জহৰলাল নেহৰু

ইয়াৰ একো সমিধান নাপাই মহাত্মাই আইন অমান্য কৰিবলৈ সংকল্প কৰে।

১৪ ফেব্ৰুৱাৰী তাৰিখে আহমদাবাদত কংগ্ৰেছ কাঃ



ছয়হজাৰত জাতীয় পতাকা অভিবাদন কৰিবলৈ গোট খোৱা বিপুল জনতা

দিব লাগিব নাইবা তাক চলোৱাৰ ভাৰ ৰাইজৰ প্ৰতিনিধিৰ হাতত দিব লাগিব।

নিঃ সভাৰ এখন সভা বহে। তাত মহাত্মাই প্ৰস্তাৱ কৰে যে আইন অমান্য আন্দোলন আৰম্ভ কৰিবলৈ কংগ্ৰেছে

তেখেতক অনুমতি দিয়ক। মহাত্মাই কংগ্ৰেছৰ ফালৰপৰা আইন অমান্য হব নোৱাৰে বুলি কৈছিল। কিয়নো, কংগ্ৰেছপন্থীয়াসকলৰ ভিতৰত অহিংসা সম্বন্ধে দুটা মত আছে। এদলে অহিংসাক মূলমন্ত্ৰৰূপে আৰু আন দলে



২৬ জানুৱাৰী তাৰিখে ('৩১) স্বাধীনতা দিনৰ দিনা নগাৰঁত পুলিছে লাঠীৰে কোবাই ঘুণীয়া কৰা সত্যাগ্ৰহী কেইজনমান, ডাক্তৰে চিকিৎসা কৰিব ধৰিছে

নীতিহিচাপে মানে; যিসকলে মূলমন্ত্ৰৰূপে মানে সেই সকলৰ সহায়েৰে মহাত্মাই আইন অমান্য আন্দোলন আৰম্ভ



আইন অমান্য আন্দোলনত নগাৰঁৰ ফাটেক খটা আৰু পুলিছৰ হাতত নিৰ্য্যাতন পোৱা সত্যাগ্ৰহী-সকলৰ কিছুমান

কৰিব খোজে। কাঃ নিঃ সভাই সাদৰে মহাত্মাৰ প্ৰস্তাৱটো গ্ৰহণ কৰে আৰু মহাত্মাৰ ওপৰত আইন অমান্য আন্দোলন পৰিচালনা আৰু নিয়ন্ত্ৰণ আদি গোটেই ভাৰ পেলাই দিয়ে। মহাত্মা গান্ধীয়ে সবৰমতী আশ্ৰমৰ কৰ্ম্মীসকলক লৈ পোন প্ৰথমে লোণ-আইন ভাঙিবলৈ স্থিৰ কৰিলে। লোণ আইন ভঙ্গ কৰাৰ আগেয়ে মহাত্মাই বৰলাটলৈ এখন চৰম পত্ৰ লিখে। সবৰমতী আশ্ৰমত থকা মহাত্মাৰ শিষ্য ৰেজিনাল্ড ৰেনল্ডছ্ নামে ইংৰাজ ডেকা এজনে মাৰ্চ্চ মাহৰ ৪ তাৰিখে সেই চিঠিখন বৰলাটক দিয়েগৈ।

চিঠিখনত মহাত্মাই কেবাটাও অভিযোগৰ কথা উনুকিয়ায় আৰু অনতিপলমে সেইবোৰৰ প্ৰতিকাৰ বিচাৰে। আৰু যদি প্ৰতিকাৰ কৰা নহয়, তেন্তে মাৰ্চ্চ মাহৰ ১২ তাৰিখে লোণ-আইন ভাঙিবলৈ আশ্ৰমৰ কৰ্ম্মীসকলক লৈ ওলাই যাব বুলি স্পষ্টকৈ লিখে। ৭ মাৰ্চ্চ তাৰিখে মহাত্মালৈ বৰলাটে চিঠিৰ উত্তৰ দিয়ে। চিঠিখনত মহাত্মাই চিন্তা কৰা কাৰ্য্যপদ্ধতিয়ে আইন অমান্য আৰু দেশৰ শান্তি আৰু শৃঙ্খলা ভঙ্গ কৰাৰ ইঙ্গিত পোৱা গৈছে বুলি বৰলাটে লিখিছে।

১২ মাৰ্চ্চ তাৰিখে ৰাতিপুৱা ৬॥ বজাত মহাত্মাই জয়যাত্ৰা কৰি লোণ-আইন ভাঙিবলৈ ডাণ্ডিলৈ ওলায়। সবৰমতী আশ্ৰমৰপৰা তেখেতে ৭৮ জন সত্যাগ্ৰহী লগত লয়। তাৰে গুজৰাটী ৩১, মাৰাঠী১৩, যুক্তপ্ৰদেশৰ ৭, কচ্ছৰ ৪, পঞ্জাবী ৩, সিন্ধী ১, কেৰলৰ ৪, ৰাজপুত ৩, অন্ধ্ৰৰ ১, কৰ্ণাটৰ ১, বোম্বাইৰ ২, তামিলনাড়ুৰ ১, বিহাৰৰ ১,বঙালী ১, উৎকলৰ ১, ফিজিৰ ১ আৰু নেপালী এজন। এইসকলৰ ৭৬জন হিন্দু, দুজন মছলমান আৰু এজন খৃষ্টান। এইসকলৰ ভিতৰত ১২ জন গ্ৰেজুৱেটো আছিল। যাত্ৰা কৰি ওলোৱাৰ সময়ত জাতিক লক্ষ্য কৰি মহাত্মাই কৈছিল, "আমাৰ দাবী দুৰ্দ্দমনীয়, উপায় সজ, সহায় ভগৱান। সত্যাগ্ৰহীসকলে যদি সত্য নেৰে, তেন্তে তেওঁলোকৰ পৰাজয় নাই। আমি আৰম্ভ কৰা সংগ্ৰামৰ জয় হ'ক।"

মহাত্মাৰ ঐতিহাসিক জয়যাত্ৰা আৰম্ভ হ'ল। তেখেতে সত্যাগ্ৰহীসকলেৰে এই আঢ়ৈশ মাইল বাট খোজ কাঢ়ি যাব ধৰিলে। মহাত্মাৰ জয়জাত্ৰাত সমগ্ৰ ভাৰত উৎসাহ আৰু কৰ্ম্ম প্ৰেৰণাৰে উপচি পৰিল। কিন্তু মহাত্মাৰ অনুমতি নাপালে যেয়ে সেয়ে আইন অমান্য আন্দোলন আৰম্ভ কৰিব নোৱাৰে। দেশৰ সজাগ অৱস্থা দেখি, জয়যাত্ৰাৰ বাটত পোৱা আনন্দগ্ৰাম নামে গাওঁ এখনত বক্তৃতা দিওঁতে ১৬ মাৰ্চ তাৰিখে মহাত্মাই ঘোষণা কৰিলে, "এতিয়ালৈ মই সত্যাগ্ৰহ আৰম্ভ কৰিবলৈ সীমা বান্ধি দিছিলোঁ। কিন্তু এতিয়া আৰু কোনো সীমা নাৰাখোঁ। য'তে ইচ্ছা, আপোনালোকে আইন অমান্য আৰম্ভ কৰিব পাৰে।"

মহাত্মাৰ এই ঘোষণাৰ পিছত ২১ মাৰ্চ্চ তাৰিখে আহমদাবাদত নিখিল ভাৰত কংগ্ৰেছ কমিটী বহে। সেই সভাই প্ৰাদেশিক কংগ্ৰেছ কমিটীবোৰক নিৰুপদ্ৰৱভাৱে আইন অমান্য কৰিব পাৰিব বুলি সাজু হবলৈ অনুমতি দিয়ে। কিন্তু প্ৰাঃ কঃ কমিটীবোৰে কঃ কাঃ নিঃ সভাৰ নিৰ্দ্দেশ মানি চলিব লাগিব। লগতে সভাই ইয়াকো কৈ ৰাখিছিল যে মহাত্মা গান্ধীয়ে লোণ-আইন ভঙ্গ কৰি সাৰ্ব্বজনীনভাৱে সত্যাগ্ৰহ আৰম্ভ কৰিবলৈ অনুমতি নিদিয়ালৈকে কেৱে যেন আইন অমান্য আৰম্ভ নকৰে।

নিঃ ভাঃ কঃ কমিটীৰ অনুমতি পাই দেশজুৰি লোণ আইন অমান্যৰ বিপুল আয়োজন হব ধৰিলে। ৬ এপ্ৰিল তাৰিখে লোণ-আইন ভঙ্গ কৰিবলৈ দেশ সাজু হ'ল। ৬ এপ্ৰিল ভাৰতৰ জাতীয় সপ্তাহৰ প্ৰথম দিন—নিষ্ঠুৰ সেনাপতি ডায়াৰ-অনুষ্ঠিত জালিয়ানৱালাবাগৰ পাশৱিক হত্যাকাণ্ডৰ ৰাঙলী সোঁৱৰণী দিন। এই পুণ্যদিনতে ভাৰতবাসীয়ে ভাৰতৰ এতেকে পৃথিবীৰ অধীন জাতি সমূহৰ স্বাধীনতা সংগ্ৰাম বা ধৰ্ম্মযুদ্ধ আৰম্ভ কৰিব।

দলে-বলে মহাত্মাই বাটকুৰি বাই গৈ গৈ ২৫ দিনৰ মূৰত ৫ এপ্ৰিল তাৰিখে ডাণ্ডি পায়। ডাণ্ডি সেই সময়ত কামাখ্যা তীৰ্থভূমি হৈ পৰিছিল। শ্ৰীযুতা সৰোজিনী নাইডুও তালৈ গৈছিল। ৬ এপ্ৰিল তাৰিখে মহাত্মাই ডাণ্ডিত গোট খোৱা জনমণ্ডলীক কয় যেন তেখেত



শ্ৰীযুত বিষ্ণুৰাম মেধি

গ্ৰেপ্টাৰ হোৱাৰ পিছত সকলোৱে যুঁজত জঁপিয়াই পৰে। মহাত্মাৰ পিছত হাইকোৰ্টৰ ভূতপূৰ্ব্ব জজ মিঃ আব্বাছ তায়েবজীয়ে আইন অমান্য আন্দোলনৰ গুৰি ধৰিব আৰু তেখেতৰ পিছত শ্ৰীযুতা নাইডুৱে আইন অমান্য আন্দোলন পৰিচালনা কৰিব বুলি মহাত্মাই ঘোষণা কৰে। তাৰ পিছত মহাত্মাই সত্যাগ্ৰহীসকলেৰে ৰাতিপুৱা ছবজাত সাগৰৰ পাৰলৈ যায় আৰু লোণ সংগ্ৰহ কৰে।

লোণ-আইন ভঙ্গ কৰি মহাত্মা ছাউনীলৈ আহিল।

তাত বাতৰি-কাকতৰ প্ৰতিনিধিসকলক কলে—"আজি পাতনি মেলিবলৈ লোণ-আইন অমান্য কৰা হ'ল। এতিয়া যেয়ে যি'তে সুবিধা পায়, গ্ৰেপ্তাৰ হওঁলৈ দায়িত্ব নৈ, লোণ-আইন ভাঙিব পাৰে।" যি'ত যি'ত পাৰি, এই



শ্ৰীযুতা কমলাদেৱী চট্টোপাধ্যায়

তাৰিখে ভাৰতবৰ্ষৰ সকলো ঠাইতে লোণ-আইন অমান্য কৰা হ'ল। মহাত্মাই লোণ-আইন অমান্য কৰি দিয়াৰ পিছত সি বতাহৰ বেগেৰে গোটেই ভাৰতত বিয়পি পৰিল। দেশভুৰি আইন অমান্য আন্দোলনে দিনদিনেকতে মূৰ্ত্তৰূপ ধৰিলে। গৱৰ্ণমেণ্টে ইমানদিনে কাণসৰালি মাৰি আছিল। আইন অমান্য আন্দোলন যেতিয়া মহা পয়োভৰেৰে চলিব ধৰিলে তেতিয়া তেওঁলোকৰ পক্ষে মনে মনে বহি থকা টান হৈ পৰিল। গৱৰ্ণমেণ্টে প্ৰথমতে মহাত্মা গান্ধীক গ্ৰেপ্তাৰ কৰিব লুযুজিলে। কাৰণ মহাত্মাক গ্ৰেপ্তাৰ কৰিলে আন্দোলনৰ যি দুমুহ আহিব, তাক ভেঁটা দিয়া শকত হব। সেই কাৰণে আগেয়ে যদি আন কৰ্ম্মীসকলক গ্ৰেপ্তাৰ কৰা হয় তেন্তে আন্দোলনৰ তেজ টুটি আহিব আৰু পিছত মহাত্মাক গ্ৰেপ্তাৰ নকৰিলেও চলিব পাৰে; নাইবা, আটাইবে শেহত মহাত্মাক গ্ৰেপ্তাৰ কৰিলে আইন অমান্য আন্দোলন চলাবলৈ দেশৰ আৰু শকতি নাথাকিব। ইয়াকে ভাবি গৱৰ্ণমেণ্টে ছৰ্দাৰ বল্লভভাই পেটেল, শ্ৰীযুত মণিলাল কোঠাৰী, শ্ৰীযুত গঙ্গাধৰ ৰাও দেশপাণ্ডে, শ্ৰীযুত এন, আৰ, খোছী, শ্ৰীযুত যতীন্দ্ৰমোহন সেনগুপ্ত, শ্ৰীযুত টি, প্ৰকাশম, ডাঃ চৈতৰাম, শ্ৰীযুত জয়ৰাম দাস দৌলতৰাম, শ্ৰীযুত শাঙমূৰ্ত্তি, শ্ৰীযুত যমুনাদাস হেমতা, শ্ৰীযুত মহাদেৱ দেশাই, ডাঃ আলম, ডাঃ সত্যপাল, ডাঃ কিচলু, শ্ৰীযুত বাজাগোপাচাৰী, শ্ৰীযুত যমুনাদাস দ্বাৰকাদাস, বাবু বাজেন্দ্ৰ প্ৰসাদ, শ্ৰীযুত এম, এছ, আনে, ডাঃ মুঞ্জে, ডাঃ হাৰ্ডিকাৰ, পণ্ডিত মদনমোহন মালৱ্য, পণ্ডিত মতিলাল, শ্ৰীযুত আব্বাছ তায়েবজী, শ্ৰীযুতা নাইডু, মৌলনা আবুল কালাম আজাদ, ডাঃ আন্সাৰী, প্ৰেছিডেণ্ট ভিঠল ভাই পেটেল, লালা জনীচাদ, শ্ৰীযুত বিষ্ণুৰাম মেধি, শ্ৰীযুতা চন্দ্ৰপ্ৰভা শইকীয়ানী, শ্ৰীযুতা কমলাদেৱী চট্টোপাধ্যায়, মিঃ নৰীমেন, কংগ্ৰেছৰ সভাপতি পণ্ডিত জহৰলাল নেহৰু, শ্ৰীযুত যমুনালাল বাজাজ, শ্ৰীযুত হেমচন্দ্ৰ বৰুৱা, ডাঃ ছৈয়দ মামুদ, ছৰ্দাৰ শাৰ্দ্দুল



সত্যাগ্ৰহী মহিলা—বাওঁফালপৰা বহি—শ্ৰীযুতা মোহিনী গোহাই, শ্ৰীযুতা গুণেশ্বৰী দেৱী।

বাওঁফালৰ পৰা থিয় হৈ—শ্ৰীযুতা কিৰণমালা বৰা, শ্ৰীযুতা দৱৰাই মেচ, শ্ৰীযুতা মুক্তাবাঈ বৈষ্ণৱী।

সিং প্ৰভৃতি মুখিয়াল নেতাসকলক অগাপিছাকৈ বন্দী কৰিলে। কিন্তু ইয়াত আন্দোলন নিস্তেজ হ'ক ছাৰি,

আগতকৈ বেছি তেজিয়ান হে হ'ল। সৰ্ব্বসাধাৰণৰ মাজত আইন অমান্য আন্দোলন এনেকৈ সোমাল যে ফাটে-কিয়াল বাধিবলৈ গৱৰ্ণমেণ্টৰ ঠাইই নাইকিয়া হ'ল। ভাৰতীয় বাৰস্থা পৰিষদত স্বৰাষ্ট্ৰ সচিব ছাৰ জেমছ্ ক্ৰেবাৰৰ প্ৰশ্নোত্তৰৰপৰা জানিব পাৰি যে গোটেই ভাৰতবৰ্ষত সত্যাগ্ৰহ আন্দোলনত সৰ্ব্বমুঠ ৫৪,০৯৯ জন সত্যাগ্ৰহীক দণ্ড দিয়া হৈছে। ইয়াৰে ভিতৰত অসমৰ ১,০৮৮ জন।



মহাত্মাই লোণ সংগ্ৰহ কৰিবলৈ ওলাইছে

সত্যাগ্ৰহীক ফাটকত দিয়া অসম্ভৱ দেখি পুলিছে লাঠী চলাবলৈ আৰম্ভ কৰে। সত্যাগ্ৰহীসকলক লাঠীৰে কোবাই ঘুণীয়া কৰিবলৈ ধৰা দেখি মহাত্মা গান্ধীয়ে লিখিলে—"গৱৰ্ণমেণ্টৰ পক্ষে আইনৰ বাটেৰে ঘোৰা হয় তো মস্কিল,...তেওঁলোকে যদি নিষ্পেষণ নীতি হাতত লয়, তেন্তে দেখিবলৈ পাব যে মানুহ তাৰ নিমিত্তেও সাজু।"

আইন অমান্য আন্দোলনৰ শক্তি দেখি গৱৰ্ণমেণ্টৰ চকুত টোপনি নোহোৱা হ'ল। কি উপায়েৰে আন্দোলন দমাব পাৰি তাকে ভাবি গৱৰ্ণমেণ্ট অস্থিৰ হ'ল। নেতা-সকলক গ্ৰেপ্তাৰ কৰি, সত্যাগ্ৰহীসকলক গ্ৰেপ্তাৰ কৰি আৰু পুলিছৰ হতুৱাই লাঠীৰে কোবোৱাযো চেষ্টা কৰি চালে; কিন্তু একোৱেই আন্দোলন দমন কৰিব নোৱাৰিলে।

কিন্তু ইংৰাজ গৱৰ্ণমেণ্ট সহজে এবা পাত্ৰ নহয়। তেওঁলোকে আৰু এটা নিষ্ঠুৰতম দমননীতি হাতত ললে। ঠায়ে ঠায়ে পুলিছে সত্যাগ্ৰহীসকলক গুলীয়াই মাৰিবলৈ ধৰিলে। এইদৰে পুলিছৰ গুলীত ১৯৩০ চনৰ মেহ, জুন আৰু জুলাই মাহত ১০১ জন সত্যাগ্ৰহী মৃত্যুমুখত পৰিছে আৰু ৪২৭ জন আহত হৈছে। পুলিছৰ লাঠীৰ কোবত কিমান সত্যাগ্ৰহী ঘুণীয়া হৈছে, তাৰ সংখ্যা থিবাং কৰিব পৰা নহ'ল। তথাপি অনুমান কৰি কব পাৰি যে তিন হাজাৰৰ কম সত্যাগ্ৰহীক পুলিছৰ লাঠীয়ে জখম নকৰাকৈ এৰা নাই। পুলিছৰ গুলী আৰু লাঠীৰ আগতো সত্যাগ্ৰহৰ শক্তিয়ে মূৰ নোদোৱালে।

সত্যাগ্ৰহীসকলে গুলীৰ আগত বুক আৰু লাঠীৰ আগত মূৰ নিৰ্ভয়ে পাতি দিব ধৰিলে। শেহাস্তৰত নিকপায়ত পৰি গৱৰ্ণমেণ্টে অডিনেন্স ব্ৰহ্ম-অস্ত্ৰ হাতত ললে। বেঙ্গল অডিনেন্সথন আকৌ জীয়াই তুলিলে আৰু সেই অডিনেন্সৰ বলে প্ৰায় ৪০০ বঙালী ডেকা ভোটানৰ সীমান্তত বন্ধা দুৰ্গত বিনাবিচাৰে বন্দী হ'ল। তাৰ পিছত এখনৰ পিছত আনখনকৈ প্ৰেছ অডিনেন্স, পিকেটিং অডিনেন্স, খাজনা বন্ধ অডিনেন্স ইত্যাদি দহখন অডিনেন্স বৰলাট লৰ্ড আৰুইনে জাৰি কৰিলে।

২৭ এপ্ৰিল তাৰিখে প্ৰেছ অডিনেন্স বা 'বাতৰি-কাকতৰ মুখবন্ধ আইন' জাৰি কৰা হয়। এই আইনখনৰ পাতনিত বৰলাটে কৈছে যে বাতৰি-কাকতৰ অনেক লিখাত মানুহক বিদ্ৰোহী হবলৈ উদ্গনি দিছে আৰু আইন অমান্য আন্দোলনৰ প্ৰশংসা কৰি



'অৰ্দ্ধনগ্ন ৰাজদ্ৰোহী ফকীৰ' মহাত্মা গান্ধী

অশান্তি আনিব ধবিছে। কঃ কাঃ নিঃ সভাই জামিন দি বাতবি কাকত প্রকাশ কবিবলৈ হাক দিয়ে। সেই হাক-অনুসবি প্রায়বোব জাতীয় কাকতব প্রকাশ বন্ধ থাকে। লগে লগে অসমীয়াব সত্যাগ্রহ কটকী 'অসমীয়া'খনো বন্ধ হয়। প্রেছ অর্ডিনেন্স সমন্ধে মহাত্মা গান্ধীয়ে লিখিলে—"বুজোঁ বা বুজোঁ, আমি কিছুমান দিনবপবা এখন সামবিক আইনব তলে বাস কবিছোঁ। সামবিক আইনব নো অর্থ কি? ই কেবল সেনাপতিব আদেশ মাথোন। বর্ত্তমান সময়ত ববলাটেই সেনাপতি। তেওঁ যঁতে ইচ্ছা ত'তেই, আইনব কথালৈ কাণ নকবি, অর্ডিনেন্স জাবি কবিব পাবে।"



২৬ জানুবাবী তাবিখে ('৩১) স্বাধীনতা দিনব নগঞা মহিলা সকলব শোভাযাত্রা

১০ মেই তাবিখে বাবদোলিত খাজনা বন্ধ আন্দোলন প্রবর্ত্তন কবা হয়। সেই মাহবে ৩০ তাবিখে খাজনা বন্ধ অর্ডিনেন্স জাবি কবা হয়। বাবদোলি অঞ্চলব ১২৫খন গাওঁ স্বাজ নোপোবালৈকে খাজনা নিদিবলৈ দৃঢ়সংকল্পিত হয়। এই ১২৫খন গাঁৱব খেতিয়কব ওপবত খাজনা নিদিয়াব বাবে অকথনীয় অত্যাচাব হোবা বুলি ফ্রী প্রেছব বাতবিবপবা জানিব পবা যায়। নানান নির্য্যাতন কবিও খেতিয়কসকলবপবা খাজনা আদায় কবিব নোবাবি গৱর্ণমেণ্ট খেতিয়কসকলব মাটিবোব বাজেয়াপ্ত কবি পেলায়। পকাধান পথাবতে এবি, লবাতিবোতা লৈ এই তাব পিছত এখন এখনকৈ প্রত্যেক প্রদেশবে কংগ্রেছ কমিটীবিলাক আৰু জাতীয় প্রাতিষ্ঠানবোবক গৱর্ণমেণ্টে বে-আইনী বুলি ঘোষণা কবে। ঘোৱা ৩ ডিছেম্বব তাবিখে অসমব সমুদয় জাতীয় প্রতিষ্ঠানিক বে-আইনী বুলি ঘোষণা কবা হয়: অনেক ঠাইত কংগ্রেছ কমিটীবোব ভাঙি দি সেই ঘবত পুলিছে তলা-ডাবি লগাই থৈছিল। বহু ঠাইত কংগ্রেছব ছাউনীবোব পুলিছে দখল কবিছিল।

ডাণ্ডিত লোণ-আইন অমান্য কবাব পিছত মহাত্মাই ধৰ্ত্তনাব লোণব কাৰখনাটো আক্রমণ কবিবলৈ থিবাং কবিলে। গৱর্ণমেণ্টে বাইজব আগত কয় যে এই কাৰখনাটো গাইগুটীয়া সম্পত্তি। কিন্তু দবাচলে ই ছৰ্কাবী।



শান্তিকটকী ছাৰ তেজ বাহাদুব ছাপ্রু

ধৰ্ত্তনা আক্রমণব আগেয়ে মহাত্মাই গৱর্ণৰ জেনেবেললৈ আৰু এখন চিঠি লিখে। এই চিঠিখনত সত্যাগ্রহীসকলব ওপবত পুলিছে কবা নিৰ্দ্দয় অত্যাচাব আৰু আন অনাচাব কেতবোবব কথা উল্লেখ কবে। তাবোপবি লোণব খাজনা তুলি দিবলৈ ববকৈ অনুবোধ কবি লিখে আৰু লিখে যে যদি লোণকব তুলি দিয়া নহয় বা মানুহক লোণ তৈয়াব কবিবলৈ অধিকাব দিয়া নহয় তেন্তে তেখেতে ধৰ্ত্তনাব লোণব গুদাম আক্রমণ কবিব।

এই বাতবিত্ত গৱর্ণমেণ্ট উচপ খাই উঠিল। ইফালে, আইন অমান্য আন্দোলন মমিমুব কবিবলৈ কবা চেষ্টা গৱর্ণমেণ্টব ব্যর্থ হ'ল। অবাংশহত সত্যাগ্রহব মূলনায়ক মহাত্মা গান্ধীক বন্দী কবিবলৈ গৱর্ণমেণ্টে পাঙিলে। গুপুতে মহাত্মাক বন্দী কবিবলৈ সকলো দিহাপোহা ঠিক হ'ল। সেই সময়ত মহাত্মা কবাদি ছাউনীত আছিল। ৪ সেই তাবিখে ভপব নিশা সুবাটব জিলা মেজিষ্ট্রেট, পুলিছ ছুপাবিণ্টেণ্ডেণ্ট আৰু বহত সশস্ত্র কনিষ্টবল অতর্কিতে কবাদি ছাউনীত উপস্থিত হয়। মহাত্মা বাহিবত এখন খাটিয়াত শুই আছিল। পুলিছে

খাটিয়াখন কেউফালে আগুবি ধবে। সাব পাই মহাত্মাজীয়ে তেওঁলোকক কি লাগে বুলি সোধে। উত্তবত পুলিছ ছাহাবে কলে যে তেওঁলোকে মহাত্মাক গ্রেপ্টাব কবিবলৈ আহিছে। ১৮৭২ চনব বোম্বাই বেগুলেশ্যনব ২৫ ধাবা মতে মহাত্মাজী বোম্বাই গৱর্ণমেণ্টব হাতত বন্দী হ'ল। কবাদি ছাউনীবপবা মহাত্মাক যাববেদা জেললৈ নিয়া হয়। জেললৈ যাওঁতে মহাত্মাই এখন থৈলাত এটা টাকুবী আৰু এখন গীতা নিয়ে। জেলত মহাত্মাব খবচব কাবণে মাহে এশ টকাকৈ মঞুব হয়। গ্রেপ্টাবব আগেয়ে মহাত্মাই ববলাটলৈ এখন চিঠি লিখিছিল। তাক ববলাটব ওচবলৈ পঠাই দিয়া হয়।

মহাত্মা বন্দী হোবাব পিছত মিঃ তায়াবজীব ওপবত ধৰ্ত্তনাব লোণব গুদাম আক্রমণ কবাব ভাব পবে। তেখেতে ৫৯জন সত্যাগ্রহীবে ১২মে তাবিখে অভিযান আবম্ভ কবামাত্রে গ্রেপ্টাব হয়। ৫২৪৯/৩১

মিঃ তায়াবজীও বন্দী হলত শ্রীযুতা সবোজিনী নাইডুবে ধৰ্ত্তনা আক্রমণব ভাব লয়। বাটত বুলচবব



শ্রীযুত হেমচন্দ্র বৰুৱা

ওচবত দলে-বলে শ্রীযুতা নাইডুক পুলিছে বাট আগচি ধবে। তেখেতেও অনাহাবে উজাগবে ২৭ ঘণ্টা কাল

সত্যাগ্ৰহীসকলেৰে তাত বহি থাকে। তাৰ পিছত তেখেতক গ্ৰেপ্টাৰ কৰি আগুৰি ধৰা ঠাইৰ বাহিৰলৈ আনি এৰি দিয়া হয় আৰু সত্যাগ্ৰহীসকলক লাঠীৰে কোবাই খেদাই দিয়া হয়। ২১মে তাৰিখে শ্ৰীযুতা নাইডুৱে দুহেজাৰ সত্যাগ্ৰহী লগত লৈ ধৰ্ছনা আক্ৰমণ কৰিবলৈ ওলায়। এনেতে তেখেতক আৰু দুই চাৰিক গ্ৰেপ্তাৰ কৰি সত্যাগ্ৰহীসকলৰ ওপৰত নিৰ্ব্বিচাৰে লাঠী চলোৱা হয়। ইয়াৰ ভিতৰত ৩২০ জন সত্যাগ্ৰহী আহত হয়। তাৰ পিছত পুলিছে সত্যাগ্ৰহীসকলৰ ছাউনী আক্ৰমণ কৰে আৰু লাঠী চলায়। তাতো বহুত সত্যাগ্ৰহী আহত হয়। ইয়াত পিছতো আৰু ২-৩ বাৰ ধৰ্ছনাৰ লোণৰ কাৰখনা আক্ৰমণ কৰা হয়।

১৯৩০ চনৰ ১৮ আৰু ২১মে তাৰিখে বাদলাৰ লোণৰ গুদাম আক্ৰমণ কৰা হয়। বাদলা বোম্বাইৰপৰা বহু দূৰত। বিলাতৰ "ডেইলি হেৰাল্ড" নামে বাতৰি কাকত খনত এই দুই আক্ৰমণৰ করুণ বিবৰণী ওলাইছে। এই কাকতখনৰ বিবৰণী পঢ়িলে বেছকৈ বুজিব পাৰি কেনেকৈ পুলিছে বেপৰোৱাভাৱে লাঠী চলাই সত্যাগ্ৰহী সকলক জখম কৰিছিল।

কংগ্ৰেছৰ লগত ৰাউণ্ড টেবোল কন্‌ফাৰেন্স বহুৱাব খোজা সকলো চেষ্টা বিফল হ'ল যদিও ছাৰ তেজবাহাদুৰ ছাপ্ৰু আৰু শ্ৰীযুত জয়াকৰে কিবা এটা আপোছ কৰিবলৈ বৰ ব্যাকুল হৈ উঠিল। তেখেতসকল দুয়োজনে লগ লাগি জেলত গৈ মহাত্মা গান্ধী, পণ্ডিত মতিলাল আৰু জহৰলাল নেহৰুৰ লগত আলোচনা কৰিবলৈ বৰলাটৰ অনুমতি খুজিলে। বৰলাটে অনুমতি দিলত তেখেতসকলে যাৰবেদা জেললৈ গৈ মহাত্মা গান্ধীৰ লগত আলোচনা কৰিলে। তাৰ পিছত নানান জেলৰপৰা পণ্ডিত মতিলাল, পণ্ডিত জহৰলাল, শ্ৰীযুতা সৰোজিনী নাইডু, ছৰ্দ্দাৰ বল্লভ ভাই পেটেল আৰু আন আন বন্দী নেতাসকলক যাৰবেদা জেললৈ নিয়া হয়। তেখেতসকলে আলোচনা কৰি শান্তিকটকী দুজনাক তলত লিখা চৰ্ত্তকেইটি দি জনালে, এইবোৰ চৰ্ত্ত নাপালে তেখেতসকল সন্তুষ্ট হব নোৱাৰে।—

(১) স্পষ্ট ভাষাৰে স্বীকাৰ কৰিব লাগিব যে ইচ্ছামতে বৃটীছ সাম্ৰাজ্যৰ বান্ধোন ছিঙিবলৈ ভাৰতবৰ্ষৰ অধিকাৰ থাকিব।



ভাইছৰয় লৰ্ড উইলিংডন

(২) ভাৰতবাসীক পূৰাকৈ দায়িত্বমূলক শাসনপদ্ধতি দিব লাগিব। দেশ ৰক্ষাৰ বাবে সেনাবিভাগ আৰু অৰ্থ-বিভাগ নিয়ন্ত্ৰণ ক্ষমতা ভাৰতবাসীক দিব লাগিব আৰু মহাত্মা গান্ধীয়ে দিয়া চৰ্ত্ত ১১টা পূৰ্ণ কৰিব লাগিব।

(৩) যিবোৰ ধাৰ বা সুবিধা কংগ্ৰেছৰ মতেৰে ভাৰতবৰ্ষৰ স্বাৰ্থৰ ফলীয়া নহয়, নাইবা অসঙ্গত তাৰ বোজা ভাৰতবৰ্ষই লব নে নলয়, তাৰ বিচাৰৰ ভাৰ এটা নিৰপেক্ষ আদালতৰ ওপৰত দিয়াৰ অধিকাৰ স্বীকাৰ কৰিব লাগিব।

শান্তিকটকী দুজনাই এই উত্তৰ লৈ ২৭ আগষ্ট তাৰিখে বৰলাটক দেখা কৰে। উত্তৰত বৰলাটে কলে—"মই অকপটে স্বীকাৰ কৰোঁ যে তেওঁলোকৰ চিঠি অনুসাৰে কাম কৰা অসম্ভৱ।" এইদৰে ছাপ্ৰু-জয়াকৰৰ কটকীয়ালি নিষ্ফলতাৰ মাজেৰে গ'ল। কিন্তু ৰাউণ্ড টেবোল

কন্‌ফাৰেন্স নবহাকৈ নাথাকিল। কংগ্ৰেছক বাদ দি, প্ৰতিনিধি বাছনি কৰি ৰাউণ্ড টেবোল কন্‌ফাৰেন্স বহুৱা হ'ল। এই কন্‌ফাৰেন্সলৈ অসমৰপৰা শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়া প্ৰতিনিধি হৈ গৈছিল। ১৯৩০ চনৰ ১২ নবেম্বৰ তাৰিখে সম্ৰাট পঞ্চম জৰ্জ্জে ৰাঃ টেঃ কন্‌ফাৰেন্স লৰ্ড সভাত উদ্বোধন কৰে। আৰু ১৯৩১ চনৰ ১৯ জানুৱাৰী তাৰিখে ছেণ্ট জেম্‌ছ্ ৰাজ-প্ৰাসাদত অধিবেশনৰ সামৰণি পৰে। কংগ্ৰেছে যোগ নিদিয়াৰ কাৰণে লণ্ডনত বহা এই প্ৰথম ৰাউণ্ড টেবোল কন্‌ফাৰেন্স এটা বিৰাট ব্যৰ্থতাত পৰিণত হৈছে।

ৰাঃ টেঃ কন্‌ফাৰেন্সৰ অধিবেশন শেষ হোৱাত ঘাই মন্ত্ৰী মিঃ ৰাম্‌জে মেক্‌ডোনাল্ডে ভাৰতৰ নীতি সম্বন্ধে বৃটীছ ছৰকাৰৰ পক্ষৰপৰা এটা ঘোষণা প্ৰকাশ কৰে। এই ঘোষণা প্ৰসঙ্গত ঘাই মন্ত্ৰীয়ে ভাৰতবৰ্ষৰ ৰাজনৈতিক বন্দীসকলক মুক্তি দিয়াৰ কথা উল্লেখ কৰে আৰু কংগ্ৰেছক ভাৰতীয় সমস্যাৰ সমাধানত আৰু প্ৰধান মন্ত্ৰীৰ ঘোষণাৰ আলোচনাত যোগ দিবলৈ বৰলাটৰ পৰামৰ্শ অনুসৰি আহ্বান কৰে। ছাৰ তেজ বাহাদুৰ ছাপ্ৰুৱে, অৱস্থাৰ গুৰুত্ব বুজি, ৰাজনৈতিক বন্দীসকলক মুক্তি দিবলৈ ঘাই-মন্ত্ৰী মিঃ ৰাম্‌জে মেক্‌ডোনাল্ডৰ ওচৰত আবেদন কৰিছিল। এইটো নকলেও হব যে সত্যাগ্ৰহ আন্দোলনৰ প্ৰকোপত ভাৰত গৱৰ্ণমেণ্ট অচলপ্ৰায় হৈ উঠিছিল। তাৰোপৰি, বিলাতী কাপোৰ বৰ্জ্জনৰ ফলত বিলাতৰ কলবিলাক বন্ধ আৰু চলাব নোৱাৰা হোৱাত, বিলাতত নিবনুৱাৰ সংখ্যা আশাতীতৰূপে বাঢ়ি যায়। এনে সঙ্কটত পৰি বৰলাট লৰ্ড আৰুইনে শান্তিৰ বাট বিচাৰিবলৈ বাধ্য হৈছিল। সেই কাৰণে যোৱা ১৭ জানুৱাৰীৰ ভাৰতীয় ব্যৱস্থা পৰিষদত দিয়া বক্তৃতাত বৰলাটে মহাত্মা গান্ধীৰ গুণকীৰ্ত্তন কৰি কংগ্ৰেছৰ সহযোগ বিচাৰিছে।

সিফালে ৰাঃ টেঃ কন্‌ফাৰেন্সৰ প্ৰতিনিধিসকলে মহাত্মা প্ৰমুখ্যে বন্দী নেতাসকলক মুক্তি দি প্ৰধান মন্ত্ৰীৰ ঘোষণাৰ আলোচনাৰ ছেগ দিবলৈ বৰলাটক অনুৰোধ কৰে। এই আটাইবোৰ কাৰণত ১৯৩১ চনৰ ২৫ জানুৱাৰী তাৰিখে বৰলাটে কঃ কাঃ নি সভাক বে-আইনী বুলি ঘোষণা কৰা আইনখন তুলি লয়। আৰু এই ঘোষণা-মতে পিছদিনা ২৬ জানুৱাৰী তাৰিখে মহাত্মা গান্ধী আৰু পিছত ক্ৰমে আন আন কাঃ নিঃ সভাৰ সদস্যসকলক মুকলি কৰি দিয়া হয়।

প্ৰধান মন্ত্ৰীৰ ঘোষণা আলোচনা কৰিবলৈ ১৪ ফেব্ৰুৱাৰী তাৰিখে এলাহাবাদত কাঃ নিঃ সভাৰ এক অধিবেশন বহে। এই অধিবেশনত স্থিৰ হয় যে সকলো কথা খৰচি মাৰি জানিবলৈ মহাত্মা গান্ধীয়ে বৰলাটৰ লগত দেখা কৰক। সেই নিৰ্দ্দেশ অনুসৰি 'অৰ্দ্ধনগ্ন ৰাজদ্ৰোহী ফকীৰ' মহাত্মা গান্ধীয়ে ১৭ ফেব্ৰুৱাৰী তাৰিখে দিল্লীত বৰলাট লৰ্ড আৰুইনক দেখা কৰে। একে লেঠাৰিয়ে কেবা দিনো আলোচনা কৰাৰ পিছত কঃ কাঃ নিঃ সভাৰ ফালৰপৰা মহাত্মা গান্ধী আৰু ভাৰত গৱৰ্ণমেণ্টৰ তৰফে লৰ্ড আৰুইনৰ মাজত যুদ্ধ-বিৰতিৰ এটা আপোছ হয়। এই আপোছক বিখ্যাত গান্ধী-আৰুইন-চুক্তি নামে জনা যায়। গান্ধী-আৰুইন-চুক্তিৰ চৰ্ত্তবোৰ এই—(১) কংগ্ৰেছে আইন অমান্য আন্দোলন তুলি লব। (২) ৰাজনৈতিক অস্ত্ৰহিচাপে বিলাতী বস্তু বৰ্জ্জন কৰা আন্দোলন নচলিব। (৩) অহিংস অপৰাধত বন্দী হোৱা ফাটেকিয়ালসকলক মুক্তি দিয়া হব। (৪) যিবোৰ ঠাইত স্বাভাৱিক লোণ পোৱা হয়, সেই ঠাইৰ অধিবাসীবিলাকে অবাধে নিজক লগা পৰিমাণে লোণ সংগ্ৰহ কৰিব পাৰিব। (৫) শান্তিপূৰ্ণ পিকেটিঙত কোনো বাধা নাথাকিব। (৬) আইন অমান্য আন্দোলনৰ সময়ত যিবোৰ দমননীতিমূলক ব্যৱস্থা হাতত লোৱা হৈছিল তাক তুলি লব লাগিব। (৭) খাজনা আদায়ৰ কাৰণে যিবোৰ সম্পত্তি কোৰোক কৰি আনৰ ওচৰত বেচা হৈছিল, সি বলবৎ থাকিব। (৮) বিলাতী



শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা

বস্ত্র কিনা-বেচাত হস্তক্ষেপ কৰা নহব। (৯) পুলিছৰ অত্যাচাৰ সম্বন্ধে তদন্তৰ দাবী কংগ্ৰেছে এৰি পেলাব



ৰাজপুতনা জাহাজত মহাত্মাজী
(সোঁফালে মীৰাবাই)

লাগিব। (১০) মিৰোৰ ৰাজেয়াপ্ত সম্পত্তি বেচা হোৱা নাই তাক ঘুৰাই দিব লাগিব। (১১) কংগ্ৰেছে দ্বিতীয় ৰাউণ্ড টেবোল কন্‌ফাৰেন্সত যোগ দিব।

৫ মাৰ্চ্চ তাৰিখে আপোছৰ চৰ্ত্তবোৰ ঘোষণা কৰা হয়। আপোছৰ চৰ্ত্ত অনুসৰি কংগ্ৰেছে আইন অমান্য আন্দোলন তুলি লৈছে।

কাৰ্য্যকাল শেষ হলত, মোৱা ১৭ এপ্ৰিল তাৰিখে লৰ্ড আৰুইনৰ ঠাইত লৰ্ড উইলিংডন ভাৰতৰ গৱৰ্ণৰ জেনেৰেল হ'ল' তেখেতে কাৰ্য্যভাৰ লোৱাৰ পিছত, লণ্ডনত পাতিব খোজা দ্বিতীয় ৰাউণ্ড টেবোল কন্‌ফাৰেন্সৰ মনোনীত প্ৰতিনিধিসকলৰ নাম জুলাই মাহত প্ৰকাশ কৰা হয়। এইবাৰো শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাদেৱ অসমৰ প্ৰতিনিধি মনোনীত হ'ল।

যোৱা ২৯ আগষ্ট তাৰিখে মহাত্মা গান্ধী, পণ্ডিত মদন মোহন মালব্য আৰু শ্ৰীযুতা সৰোজিনী নাইডু দ্বিতীয় ৰাউণ্ড টেবোল কন্‌ফাৰেন্সত যোগ দিবলৈ বুলি 'ৰাজপুতনা' জাহাজত বোম্বাইবপৰা লণ্ডনলৈ যাত্ৰা কৰে। লণ্ডন পাই মহাত্মাই কন্‌ফাৰেন্সৰ আলোচনাত যোগ দিছে। যিখিনি আলোচনা হৈছে তাত কিন্তু এতিয়াও আশাৰ পোহৰে ৰেঙোৱা নাই। বাঃ টেঃ কন্‌ফাৰেন্সৰ পৰা ভাৰতৰ দাবী পৰিপূৰণ হব বুলি মহাত্মা আশান্বিত হব পৰা নাই।

ইফালে ভাৰতৰ নতুন ৰবলাট লৰ্ড উইলিংডনে গান্ধী-আৰুইন চুক্তিৰ মর্য্যাদা ৰক্ষাৰ যি আপুকৰীয়া নমুনা দেখুৱাইছে সি তেনেই বিস্ময়কৰ। গান্ধী-আৰুইন-চুক্তি-চৰ্ত্তৰ ওপৰ দফামতে দমননীতিমূলক সকলো ব্যৱস্থা প্ৰত্যাহাৰ কৰিব লাগে। সেই অনুসৰি প্ৰেছ আইনো প্ৰত্যাহৃত হয়। কিন্তু লৰ্ড উইলিংডনে গান্ধী-আৰুইন-চুক্তি কাতি কৰি পৈ ভাৰতবৰ্ষত আকৌ প্ৰেছ-আইন জাৰি কৰিলে। তাতো সন্তুষ্ট নহ'ল, মইমতীয়া ক্ষমতাৰ



শ্ৰীযুত বজনীকান্ত গোস্বামী—অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সহকাৰী সম্পাদক—সত্যাগ্ৰহ আন্দোলনত ফাটেৰ খাটিছে। ছাতৰ অৱস্থাত এওঁ একেলেথাৰিয়ে তিনবাৰ অসম ছাত্ৰ সন্মিলনীৰ সম্পাদক নিৰ্ব্বাচিত হয়। অসম ছাত্ৰসন্মিলনীৰ জীৱনত আন কেতে এনে সন্মান পোৱা নাই।

চূড়ান্ত চিনাকি দিবলৈ, গৱৰ্ণৰ জেনেৰেল লৰ্ড উইলিংডনে বেঙ্গল অর্ডিনেন্সখন জাৰি কৰি বঙ্গদেশময় গ্ৰেপ্টাৰৰ উজান তুলিছে। 'কিমাশ্চৰ্য্যমতঃ পৰম্!'

নীতি আৰু ধৰ্ম্ম

—শ্ৰীযুত হৰেন্দ্ৰনাথ ডেকা, বি-এ

ইয়াৰ আগৰ প্ৰবন্ধত কোৱা হৈছিল যে মানুহ সীমাবদ্ধ আৰু অসীমো। পাঠকে হয় তো মনৰ খুচুৰনি পলাবৰ কাৰণে সুধিব পাৰে যে এটা বস্তু একেলগে আৰু একে সময়তে কেনেকৈ দুয়োটা হব পাৰে। এইদৰে প্ৰশ্ন দুঠাটোহে অস্বাভাৱিক যেন হব।

মানুহৰ বুদ্ধি আৰু নীতিশক্তিবিলাক স্বভাৱতে আৰু আচলতে অসীম। এই কাৰণে মানুহ বা মানৱাত্মা অসীম। কিন্তু স্বভাৱত আৰু গুণত যদিও অসীম তথাপি শক্তিত সীমাবদ্ধ। হিন্দুদৰ্শনৰ "সোঽহং" এইটোৱেই। এই পিনৰ পৰা চালে মানৱাত্মাৰ আৰু পৰমাত্মাৰ একো প্ৰভেদ নাই। কেৱল প্ৰভেদ শক্তিত সীমাবদ্ধ হোৱাৰ কাৰণে। পঞ্চভূতৰ দেহাত এই অসীম শক্তিৰ ক্ষুদ্ৰ অংশ আবদ্ধ হোৱাৰ কাৰণে মানুহ সীমাবদ্ধ হৈছে। মানুহেই কেৱল এপিনে অসীম ভগৱৎ শক্তিৰ এক অংশৰ আৰু আনপিনে জড়-পদাৰ্থক বা পঞ্চভৌতিক প্ৰাকৃতিক লগ লগাইছে।

বস্তুবিদ সকলে কোৱাৰ দৰে মানুহ কেৱল জড়পদাৰ্থ-বিশিষ্ট নাইবা ডাৰউইনে কোৱাৰ দৰে জীৱবিশিষ্ট নহয়, তাতকৈও বেছি অর্থাৎ অসীম বুদ্ধি-শক্তি আৰু নীতিশক্তি-সম্পন্ন। পঞ্চভূতৰ প্ৰভাৱত নানাবিধ প্ৰাকৃতিক উৎপত্তি হয়। কিন্তু ভগৱদ্বুদ্ধি বা বিবেকে তাক দমাই বাখিব খোজে। যেনেকৈ জড়পদাৰ্থৰ পৰা প্ৰবৃত্তিৰ উৎপত্তি হয় তেনেকৈ বুদ্ধিশক্তি আৰু নীতিশক্তিৰ প্ৰভাৱত অসীম জ্ঞানৰ লিপ্সা আৰু ধৰ্ম্মৰ ভাব মানুহৰ ভিতৰত উঠে। এই দুই শক্তিৰ উৎকৰ্ষ সাধনৰ ফলত কুপ্ৰবৃত্তিবিলাক ইহঁতৰ ধৰ্ম্ম আৰু জ্ঞানৰ পণত লণ্ডৱা হৈ পৰে।

এইদৰে চলোৱাতেই মানুহৰ কৰ্ত্তব্য। আৰু যদিহে প্ৰবৃত্তিবিলাকে বুদ্ধি আৰু শক্তিক চলাব ধৰে তেন্তে মানুহ বিপথগামী বা পাপী হয়

ইমান বেলি বুদ্ধি আৰু নীতিশক্তিক (will-power) দুটা বেলেগ বস্তু বুলি দেখুৱা গৈছে। বস্তুতঃ সিহঁত একেটা বস্তু। ভাবিবৰ সময়ত এই এটা শক্তিকেই বুদ্ধি বোলে আৰু প্ৰকাশ কামত লগালে সেই শক্তিকেই will বোলে। will মানে বুদ্ধিশূন্য will নহয়। তেতিয়া হলে শাৰীৰিক বলজোৰক হে বুজাব (will = thought or will or reason in action)।

এই দেখাত বিভিন্নশক্তি কেটাৰ সমষ্টিকে আত্মা বোলে।

ওপৰত কোৱা ধৰ্ম্ম আৰু নীতিৰ কোনো ধৰাবন্ধা আকৃতি নাই। পৃথিবীত যিমানবিলাক সাকাৰ ধৰ্ম্মমত আছে, গোটেইবিলাকৰে ওপৰত কৈ অহা তত্ত্বখিনিয়েই আচল বস্তু। যি ধৰ্ম্মত এই তত্ত্বৰ অভাৱ সি প্ৰকৃত ধৰ্ম্ম হব নোৱাৰে।

যি ধৰ্ম্ম আৰু নীতিৰ ইয়াত আলোচনা কৰা হৈছে তাত মতভেদ থাকিব নোৱাৰে। ধৰ্ম্মৰ আচল মৰ্ম্ম হৈছে ঈশ্বৰৰ লগত মানুহৰ সম্বন্ধ। তাৰ ভিতৰতে ধৰ্ম্মৰ নামত পৰহিংসা বা হাই-কাজিয়া আৰু মৰামৰি মহামূর্খৰ কাম। এইবিলাক মানুহে ধৰ্ম্মৰ "ধ"টোকে এতিয়াও বুজি পোৱা নাই বা সেই সেই ধৰ্ম্ম যুক্তিসঙ্গত ধৰ্ম্ম নহয়। আচল ধৰ্ম্মত জাতিভেদ, বৰ্ণভেদ আৰু বিভিন্ন পথ থাকিব নোৱাৰে। তীক্ষ্ণতৰ অন্বেষেও কাটিব নোৱাৰা আচাৰ-ব্যৱহাৰ আৰু কুসংস্কাৰ ধৰ্ম্ম হব নোৱাৰে। ধৰ্ম্ম আৰু নীতি এইবিলাকৰ বহুত ওপৰত। তেন্তে ইমান বিলাক সাকাৰ ধৰ্ম্ম আমি পৃথিবীত বৰ্ত্তমান দেখো কিয়? তাৰ যথেষ্ট কাৰণ আছে।

মানুহৰ জন্মৰ পৰাই জ্ঞানবুদ্ধিৰ বিকাশ নহয়। ভিতৰৰ বীজাঙ্কুৰ বিলাক সজাগ কৰিবলৈ শিক্ষাৰ আৱশ্যক।

ব্যক্তিগত মানুহৰ পক্ষে যেনে, একোটা জাতি বা সম্প্ৰদায়ৰ পক্ষেও তেনে (what is true of individual is true of nations or communities)। ইয়াৰ উপৰিও, সামাজিক আৰু দেশ-কাল লৈ নানা পাৰিপাৰ্শ্বিক ঘটনাৰ প্ৰভাৱ আছে।

মনুষ্যজাতিৰ জ্ঞানৰ লগে লগে বেলেগ বেলেগ দেশত, বিভিন্ন সময়ত, এই একেটা অসীমৰ ভাবেই বেলেগ বেলেগ ভাৱে বেলেগ বেলেগ মানুহৰ মনত বিভিন্ন ৰৈ প্ৰকাশ পায়। আৰু একেবাৰে আচল ভাবটো উপলব্ধি কৰিব নোৱাৰি যেই-সেই ডাঙৰ বস্তু এটাকে অসীমৰ প্ৰতিমূৰ্ত্তি যেন দেখে আৰু তাকেই ঈশ্বৰ বুলি পূজা কৰিব ধৰে। এই ৰকমে ধৰ্ম্মৰ প্ৰথম উৎপত্তি হয়। আদিম কালত যেতিয়া জ্ঞান-বিজ্ঞানৰ চৰ্চ্চা নাছিল তেতিয়াও মানুহে অসীম ঈশ্বৰৰ জ্ঞান পাইছিল, অৱশ্যে তেওঁলোকৰ জ্ঞান পৰিপক্ক হোৱা নাছিল ; নিজতকৈ বেছি শক্তিশালী বস্তুকে অসমীৰ প্ৰতিমূৰ্ত্তি যেন দেখিছিল। সেই কাৰণে হিন্দুধৰ্ম্মত চন্দ্ৰ, সূৰ্য্য, অগ্নি আদি দেৱতাবিলাকে পূজাৰ আসন পাইছিল। এইদৰে মানুহৰ বা জাতিৰ জ্ঞানৰ ক্ৰমবিকাশৰ লগে লগে ধৰ্ম্ম আৰু নীতিজ্ঞানবো জ্ঞান ক্ৰমশঃ পৰিপূৰ্ণ হৈ আহিব ধৰে। তাৰ পিছৰ কালৰ হিন্দুবিলাকে যেতিয়া দেখিলে যে আগবৰিলাক ভুল তেতিয়া ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ—ঈশ্বৰৰ এই তিনি শক্তিক পূজা কৰিলে। তাৰ পিছৰ যুগত হিন্দুদৰ্শনৰ প্ৰকোপ বেছি হয়। তেতিয়া এক ঈশ্বৰৰ বাহিৰে দ্বিতীয়ক মানিব অস্বীকাৰ কৰিলে "একমেবদ্বিতীয়ম্ ।" এই এক ঈশ্বৰৰ তিনি শক্তি সত্যম্ শিবম্ সুন্দৰম্। এই অনুসাৰে মানৱাত্মাৰ ভিতৰতো তিনি শক্তি শিণপুজাৰ পৰা আৰম্ভ কৰি এক ঈশ্বৰৰ ভাবলৈ যোৱা কেৱল হিন্দুধৰ্ম্মতে দেখা যায়। এইটো সকলো সাকাৰ ধৰ্ম্মৰে প্ৰাকৃতিক ক্ৰমগতি হোৱা উচিত (The idea of religion must be completed (for man) by a process of evolution)। এই ক্ৰমবিকাশ নথকাহে অস্বাভাৱিক।

এতিয়া দেখা গল যে জ্ঞানবুদ্ধি অনুসাৰে ভিন ভিন ধৰ্ম্মৰ সৃষ্টি হৈছিল। আৰু এই সাকাৰ ধৰ্ম্মবিলাক মহলে সকলোৱে এক ধৰ্ম্মক অনুসৰণ কৰিব নোৱাৰে। জ্ঞানৰ স্তৰে স্তৰে বেলেগ বেলেগ দেশত ভিন্ন ভিন্ন ধৰ্ম্মমতৰ সৃষ্টি মানুহে কৰিছে। ধৰ্ম্ম বোলা বস্তুটো স্বভাৱতে পৰিবৰ্ত্তন আৰু মাৰ্জ্জনাশীল। তাৰ কাৰণ ধৰ্ম্মৰ শেষ জ্ঞান এতিয়াও কোনো সাকাৰ ধৰ্ম্মতে দেখা নাযায়। আচল ধৰ্ম্ম এক আৰু অচল-অটল ; কিন্তু সাকাৰ ধৰ্ম্মবিলাক মাৰ্জনাশীল। এইবোৰক মাৰ্জ্জিত (modified) হব দিব লাগে আৰু modify কৰাটো প্ৰত্যেক মানুহৰে কৰ্ত্তব্য। পৃথিবীত কোনো সাকাৰ ধৰ্ম্ম অচল-অটল নহয় ; কাৰণ তেতিয়া হলে তাত কুসংস্কাৰ থাকিব নোৱাৰে। কিন্তু প্ৰত্যেক সাকাৰ ধৰ্ম্মতে এইবিলাক বৰ্ত্তমান আছে।

একপিনে যেনেকৈ এই সাকাৰ ধৰ্ম্মবিলাকৰ দৰ্কাৰ আনপিনে তেনেকৈ এইবিলাকে বা ইহঁতৰ কুসংস্কাৰ বিলাকে মনুষ্য জাতিৰ পুৰাব নোৱাৰা ক্ষতি কৰিছে আৰু কৰিব লাগিছে।

ইয়াৰ আচল কাৰণ হৈছে ধৰ্ম্মবিষয়ক অজ্ঞানতা বা মূৰ্খতা। নানাৰকম পূজা কৰিলে বা পাঁচ-ছয় বাৰ নামাজ পঢ়িলেই ধাৰ্ম্মিক মানুহ নহয়। বৰঞ্চ বহুত বেয়া প্ৰকৃতিৰ মানুহে এইবিলাক বেছিকৈ দেখুৱাৰৰ কাৰণে কৰা দেখা যায়। এই ৰকমে ঈশ্বৰক সন্তুষ্ট কৰিব পৰা হলে আৰু ধাৰ্ম্মিক হব পাৰা হলে, ঈশ্বৰ আৰু ধৰ্ম্ম ইমান অমূল্য বস্তু হৈ থাকিব নোৱাৰিলে হেতেন। ঈশ্বৰ সিমান লুতীয়া নাইবা খোচামোদপ্ৰিয় নহয়। গোটেই জগতখন চলাওঁতে তেওঁৰ এক মুহূর্ত্তৰ কাৰণেও সময় নাই।

মানুহেও বুদ্ধিশক্তি আৰু নীতিশক্তিৰ দিনেনাতি পৰিচালনা কৰি সেইদৰে নিজৰ আৰু পৰৰ ভালৰ অৰ্থে সদায় কৰ্ত্তব্যত মগ্ন থাকিলেহে আত্ম-উপলব্ধি আৰু তাৰ লগে লগে বা তাৰ মাজেৰে ভগবদ্ বা অসীম উপলব্ধি হয়। তেতিয়াহে ঈশ্বৰ সন্তুষ্ট হব পাবে। ঈশ্বৰ সন্তুষ্ট হলে নিজলৈ সন্তোষ আহে। যেতিয়া মানুহে সত্য আৰু ধৰ্ম্ম ক্ৰমশঃ উপলব্ধি কৰিব ধৰে তেতিয়া আপোনা-আপুনি আনন্দ ভাব আহে।

এই তিনিটাক উপলব্ধি কৰা মানে ঈশ্বৰক অনুভৱ কৰা বা দেখা। এই আকাৰত হে যোগীসন্ন্যাসীবিলাকে

ভগৱানক অনুভৱ কৰিব পাৰে। আন আকাৰত দেখা একেবাৰে অসম্ভৱ। কাৰণ শাৰীৰিক আকাৰ ভগৱানৰ নাই। মানুহে নিজৰ আত্মাটোক দেখা নাপায় ; কিন্তু চকুৰে দেখা বস্তুতকৈও সাঁচা আৰু বৰ্ত্তমান বুলি বিশ্বাস কৰে। সেইদৰে ঈশ্বৰো দেখা বস্তুবিলাকতকৈও বেছি নিশ্চিত আৰু সত্য।

এই আকাৰৰ ধৰ্ম্ম আৰু নীতি অনুসৰণ কৰিবৰ কাৰণে মানুহৰ শুদ্ধ অৰ্থাৎ বামুণ-গোসাঁই মোল্লাপাত্ৰীৰ দৰ্কাৰ নাই। এই শুদ্ধবিলাকৰ ভিতৰত প্ৰায় বেছি ভাগকে আচল ধৰ্ম্মনীতি বিষয়ে অজ্ঞ দেখা যায়। আচল শুদ্ধ ছৈছে জ্ঞান। জ্ঞানশুদ্ধরে মানুহৰ আচল শুদ্ধ। অতীজৰে পৰা সকলো দেশতে জ্ঞানী মানুহৰ এই কাৰণে ইমান সমাদৰ। ধৰ্ম্মশুদ্ধ বিলাকো এওঁলোকৰ ভিতৰতে পৰে। বিবিলাক মহাপুৰুষৰ ভিতৰত এই বুদ্ধিশক্তি আৰু নীতিশক্তি বা মানুহৰ ভিতৰত থকা ঐশ্বৰিক শক্তিবিলাকৰ যথাসাধ্য উৎকৰ্ষ সাধন হয় তেওঁলোকেই পৃথিবীৰ ধৰ্ম্মগুৰু বা জ্ঞানগুৰু হৈ পৰে। আৰু এই ধৰণৰ মানুহক ঈশ্বৰৰ অৱতাৰ বুলি কোৱা যায়। ইয়াৰ আচল তত্ব এইখিনিতেই যে এই মহাপুৰুষসকলে নিজৰ নিজৰ মানৱাত্মাৰ ভিতৰত পৰমাত্মাক নাইবা নিজৰ মানৱাত্মাটোকে পৰমাত্মাৰ ওচৰা-উচৰি উপলব্ধি কৰে। খ্ৰীকৃষ্ণ, হজৰত মহম্মদ, যীশুখ্ৰীষ্ট, বুদ্ধ আদি মহামতি সকল এই শ্ৰেণীৰ মহা মানৱৰ ভিতৰত পৰে।

বৃহত্তৰ অসম

—শ্ৰীযুত যদুনাথ শৰ্ম্মা

ভাৰতৰ শাসনপদ্ধতিৰ পৰিবৰ্ত্তনৰ লগে লগে বেলেগ বেলেগ প্ৰদেশৰ সীমাৰো সালসলনি হব লাগে বুলি আজি কেইছবমান আগৰ পৰা ভাৰত জুৰি এটা আন্দোলন চলিছে। নেহৰু ৰিপোৰ্ট, চাইমন কমিশনৰ ৰিপোৰ্ট আদিয়েও সীমা সালসলনি হোৱা আৱশ্যক বুলি মত প্ৰকাশ কৰিছে আৰু বাউণ্ড টেবল কনফাৰেন্সতো এই সম্পৰ্কে আলোচনা হব বুলি আশা কৰা গৈছে। দুই দেশ নাইবা প্ৰদেশৰ সীমা নিৰ্দ্ধাৰণ কৰোঁতে প্ৰথমে জাতীয়, ভাষামূলক, ধৰ্ম্মমূলক আৰু ঐতিহাসিক ঐক্যৰ ফালে মন দিব লাগে, আৰু এই ঐক্যৰ বাটত যাতে কোনো বাধা নহয়, সেই অনুযায়ীহে সীমা ধাৰ্য্য হব লাগে। কাৰণ এক জাতিৰ, এক ধৰ্ম্মৰ বা এক ভাষা বা ইতিহাসৰ মানুহক এক সীমাৰ মাজত বথাৰ পৰা কেৱল যে শাসনকাৰ্য্যবহে সুবিধা হয় তেনে নহয়, সেই সীমাৰ মাজত থকা অধিবাসীসকলক সংঘবদ্ধ কৰি সকলো প্ৰকাৰ উন্নতি সাধনৰ সুবিধা দিয়া হয়। অৱশ্যে অত্যাচাৰী ৰজা বা স্বাৰ্থান্বেষী শাসক সম্প্ৰদায়ৰ হাতক কোনো দেশৰ শাসনভাৰ থাকিলে, সেই ৰজা বা শাসনকৰ্ত্তাই প্ৰজাৰ ভালৰ ফালে নাচাই নিজৰ স্বাৰ্থ পূৰণৰ অৰ্থে সেই দেশৰ বিভিন্ন সম্প্ৰদায়ৰ মিলন বা ঐক্যত বাধা দি বৰং এক সম্প্ৰদায়ক আন সম্প্ৰদায়ৰ বিৰুদ্ধে লগাই জাতিৰ দুৰ্ব্বলতা আৰু বঢ়ায়হে আৰু এইদৰে নিজৰ বাটৰ পৰা সকলো আঁৰে-আহুকাল আঁতৰাই থয়। মহাযুদ্ধৰ পূৰ্ব্বে অষ্ট্ৰিয়াৰ সম্ৰাটেও তেওঁৰ সাম্ৰাজ্যৰ ইটালিয়ান সকলক

হাঙ্গেৰীৰ প্ৰজাৰ মাজত মিহলাই থৈ সম্ৰাটৰ শাসননীতিৰ বিৰুদ্ধে সংঘবদ্ধ বিদ্ৰোহৰ সুযোগত বাধা দিছিল। অষ্ট্ৰিয়াৰ সম্ৰাট দ্বিতীয় ফ্ৰান্সিছে এবাৰ ফৰাছী বৈদেশিক দূতক কৈছিল, "My people are strangers to one another and yet it is for the better. They never have the same ills at the same time. In France, when there is an epidemic of fever, you all have it the same day. I have Hungarians in Italy and Italians in Hungary. Each suspects his neighbour ; they never understand one another and in fact detest one another. Their antipathies, however, conduce to order and their mutual hate to the general peace.—অৰ্থাৎ মোৰ সাম্ৰাজ্যৰ প্ৰজাবিলাকে ইজনে সিজনক চিনি নাপায়, কিন্তু তাৰ পৰা মোৰ শাসনকাৰ্য্যৰ সুবিধাহে হৈছে। তেওঁলোকৰ আটাইবিলাকে কেতিয়াও একে সময়তে শাসননীতিৰ বিৰুদ্ধে সংঘবদ্ধভাৱে যোগ দিব নোৱাৰে। ফ্ৰান্সত যেতিয়া প্ৰজাৰ মাজত কিবা চাঞ্চল্য উপস্থিত হয়, ফৰাছী শাসকসকল একে দিনে সেই চাঞ্চল্য সমূহীন হব লগাত পৰে। মই ইটালীত হাঙ্গেৰীয়ানবিলাকক, আৰু হাঙ্গেৰীত ইটালিয়ান প্ৰজাক থাকিবলৈ দিছোঁ। ফলত প্ৰত্যেকে তেওঁৰ প্ৰতিবেশীক সন্দেহৰ চকুৰে চায়, ইজনে আনজনৰ মনৰ কথা কেতিয়াও বুজি নাপায়, আৰু প্ৰকৃততে ইজনে সিজনক ঘৃণা কৰে। কিন্তু তেওঁলোকৰ মাজৰ এই সহাশুভূতিহীনতাই সামাজ্যত শৃঙ্খলা ৰাখিছে, আৰু ঘৃণাভাবে সাধাৰণৰ মাজত শান্তি আনিছে। অৱশ্যে স্বাভাৱিক মনোবৃত্তিৰ স্ফুৰণত বাধা দি আৰু মানুহৰ সৰ্ব্বাঙ্গীন উন্নতিৰ পথত জেওৱা বহুতাই শাসকসকলে ফ্ৰান্সিছৰ দৰে যি শান্তি আৰু শৃঙ্খলা আনে, তাৰ বৰ্ত্তমানে সকলো মানুহে বুজি পায়, আৰু এই শান্তি আৰু শৃঙ্খলা যে সুদৃঢ় জাতি গঠনৰ পথতহে কেৱল অন্তৰায় নহয়, মানৱশক্তিৰ পূৰ্ণবিকাশৰ বাটতো হিমালয়সদৃশ বাধাস্বৰূপ, তাক আজিকালি প্ৰায় সকলো লোকে বঢ়িয়াকৈ জানে। যদিও মহাসমৰৰ আগলৈকে য়ুৰোপত সম্ৰাট ফ্ৰান্সিছৰ নীতিৰ অল্প-বিস্তৰ প্ৰয়োগ দেখা গৈছিল, তথাপি উনৈশ শতিকাত গণতন্ত্ৰৰ অভ্যুত্থানৰ দিনৰ পৰাই, এই নীতিৰ প্ৰচলন কমি আহিছে, আৰু যুদ্ধৰ পিছত হোৱা ভাৰ্ছেলিছৰ সন্ধিয়ে তাৰ সমূল উচ্ছেদ সাধন কৰিছে। এই সন্ধিৰ সৰ্ত্ত অনুসৰি প্ৰত্যেক দেশকে ভাষাগত, কৃষ্টিগত আৰু ঐতিহাসিক ঐক্যৰ বিষয়ে লক্ষ্য ৰাখি নতুনকৈ গঠন কৰা হৈছে। যদি কোনো দেশত, মেনে পোলেণ্ড আদিত সেই নীতি প্ৰয়োগ কৰা হোৱা নাই, তেনেহলে সেই সেই দেশত অন্তৰ্যুদ্ধ, অশান্তি আদিৰো অন্ত হোৱা নাই। সি যি কি নহ'ক মহাসমৰৰ পিছত পৃথিৱীৰ সকলো জাতিয়ে এই নীতিক ভিত্তিস্বৰূপে লৈ দেশৰ সীমা নিৰ্দ্ধাৰণ কৰাৰ আৱশ্যকতা বেছকৈ উপলব্ধি কৰিছে।

ভাৰতৰ বিভিন্ন প্ৰদেশৰ সীমা ওপৰোক্ত কোনো নীতিৰ দ্বাৰা নিৰ্দ্ধাৰিত হোৱা নাছিল। ইংৰাজসকলে দেশীয় ৰজা-মহাৰজা, নবাব, বাদছাহ আদিৰ পৰা নানা প্ৰদেশ অধিকাৰ কৰাৰ পিছত শাসনকাৰ্য্যৰ সুবিধাৰ বাবে, এই বেলেগ বেলেগ প্ৰদেশবোৰ, কোনো ইংৰাজ শাসনকৰ্ত্তা একোজনৰ অধীনত ৰাখিছিল, আৰু তাৰ ফলত কেতিয়াবা একে ভাষাভাষী, একে কৃষ্টি, একে ইতিহাসৰ মানুহ বেলেগ প্ৰদেশৰ অধীনত বিভক্ত হৈছিল: আনপিনে কোনো এখন প্ৰদেশৰ চৌহদীৰ ভিতৰতে বেলেগ বেলেগ নানা জাতিৰ মানুহ সোমাইছিল। কালক্ৰমে যদিও শাসনকাৰ্য্যৰ নীতি আৰু পদ্ধতিৰ নানা পৰিবৰ্ত্তন ঘটিল, তথাপি প্ৰদেশবোৰ নতুনকৈ গঠন কৰা নহল, আৰু আগৰ সেই বৈষম্য থাকি যোৱাত জাতিগঠনৰ বাটত বহুত বাধা জন্মিল। মাদ্ৰাজত কেবাজাতিৰো মানুহ গোট খুৱাই প্ৰাদেশিক ভাষাৰ উন্নতিত বাধা দিয়া হৈছে, উৰিষ্যাৰ কিছুমানক মাদ্ৰাজ, কিছুমানক মধ্যপ্ৰদেশ, কিছুমানক বঙ্গদেশত সুমাই, আন এটা অংশক বিহাৰৰ লগত জোৰা দি শাসনকাৰ্য্য চলোৱাত জাতীয় উন্নতি সাধনত উৰিষ্যাই যে বিষম ক্ষতি পৈছেই, ওপৰোক্ত আন প্ৰদেশ বিলাকৰো বিশেষ অসুবিধা নোহোৱাকৈ থকা নাই। বোম্বে প্ৰদেশত সিন্ধুবাসী সকলক সুমাই হোৱাত সিন্ধুবাসীসকলে আপত্তি কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে। সেইদৰে আমাৰ অসমতো বঙ্গদেশৰ এডোখৰ

জোৰা লগাই দি শ্ৰীহট্টক অসমৰ চকুৰ শূল যেনেকৈ কৰা হৈছে, আনপিনে অসমৰ বুকুৰ পৰা কোচবেহাৰ, ৰংপুৰ, জলপাইগুৰি আৰু মৈমনসিং আদি জিলা কেইখন কালি নি বঙ্গদেশৰ লগ লগাই দি অসমৰ জাতিগত,ভাষাগত, কৃষ্টিগত আৰু ঐতিহাসিক ঐক্য অজাহতে বিভক্ত কৰা হৈছে। ব্ৰটীছ শাসন অসমত প্ৰতিষ্ঠিত হবৰ আজি এশ বছৰৰ ওপৰ হৈ গ'ল,এইশতিকাৰ ভিতৰতো এই প্ৰদেশ নতুনকৈ গঠিত হোৱাৰ ব্যৱস্থা কৰা হোৱা নাই। মনৰ দুখ বেজাৰ ফুটাই কব নজনা অসমীয়া বাইজে এই বিষয়ে কোনো দিনো তুমুল আন্দোলন চলোৱা নাই। ১৯০৫ চনত লৰ্ড কৰ্জ্জনৰ বঙ্গবিচ্ছেদৰ settled fact অৰ্থাৎ মীমাংসিত কথাকো যেনেকৈ বঙ্গবাসীয়ে unsettled কৰি দি গবৰ্ণমেণ্টক বঙ্গবিচ্ছেদ বদ কৰিবলৈ বাধ্য কৰিলে অসমীয়া জাতিয়ে তেনে কোনো আন্দোলনেৰে শাসক সম্প্ৰদায়ক বিব্ৰত কৰি তোলা নাই। মাজে সময়ে দুই এটি প্ৰতিবাদ জনাই আহিলেও গবৰ্ণমেণ্টে প্ৰায়েই সেই কথা শুনিও শুনা ভাও ভুৰি আছিল। অৱশ্যে সুখৰ বিষয় এই যে আজি ভাৰতৰ আন আন প্ৰদেশে আত্মপ্ৰতিষ্ঠা কৰিবলৈ বিচৰাৰ লগে লগে অসমেও সেই আন্দোলনত যোগ দিছে, আৰু নতুনকৈ নিজৰ প্ৰদেশৰ সীমা নিৰ্দ্ধাৰণ কৰিবলৈ গবৰ্ণমেণ্টক অনুৰোধ কৰিছে। কিন্তু বৰ পৰিতাপৰ কথা যে আজিও সমূহ অসমীয়া জাতিয়ে অসমৰ পুনৰ্গঠনৰ বিশেষ প্ৰয়োজনীয়তা উপলব্ধি কৰিও, তাত আত্মবিকতাবে যোগ দিবা নাই। কিন্তু কাছাড়ক আৰু গোৱালপাৰা যে অসমৰ অবিচ্ছেদ্য অঙ্গ আৰু সেই দুখন জিলাক অসমৰ পৰা আঁতৰাই আনি বঙ্গদেশৰ লগ লগোৱা প্ৰস্তাৱ ঘোৰ অন্যায়মূলক, এই কথা অসমীয়া সকলে জানিলে—বুজিলেও, এনেকি কিছুমান স্বাৰ্থান্বেষী বঙ্গালীয়ে বঙ্গদেশৰ মানুহক ভাত-কাপোৰ যোগাবলৈ এই দুখন জিলা তেওঁলোকক লাগে বুলি কেইজনমান অসমীয়া ডেকাৰ আপত্তিকো প্ৰকাশ কৰাত বাধা দি আন্দোলন চলোৱাতো, আন কোনোৱে আকৌ কাছাড়ত অসমীয়া মানুহ নাই, গোটেইবিলাক বঙ্গালীহে এইদৰে ভুৱা দিবলৈ বিচৰাতো, আজিলৈকে অসমীয়া বাইজে মুখ ফুটাই আপত্তি কৰিবলৈ সাহ কৰা নাই কিয়? আমি জনাত ব্যক্তিগতভাৱে দুই এজনে আপত্তি কৰিলেও কলিকতাৰ এ, এছ, এল ক্লাব, কলিকতাপ্ৰবাসী অসমীয়া বাইজৰ সভা আৰু অসম মহিলা সমিতিত বাজে আন কোনো সভাসমিতিয়ে এই অন্যায় প্ৰস্তাৱৰ তীব্ৰ প্ৰতিবাদ কৰা নাই। আমি ভালকৈ জানো, কলিকতাৰ এলবাৰ্ট হলৰ মিটিঙত গৃহীত হোৱা অন্যায়মূলক প্ৰস্তাৱ আৰু বঙ্গালীয়ে অসমীয়া ডেকাসকলৰ প্ৰতি কৰা অপমানৰ প্ৰতিবাদ 'বাতৰি'য়ে নিজে তো কৰা নাযেই, এনেকি আনে সেই বাতৰি প্ৰকাশ কৰিবলৈ পঠোৱাতো তাক প্ৰকাশ কৰা নহ'ল। 'বাতৰি'ক উদাহৰণ স্বৰূপে লৈ আমি এই কাকতখনিক অসমীয়াৰ মনোভাবৰ বিকদ্ধপন্থী ক্ৰোলা নাই ; অসমীয়া বাইজে ন্যায়সঙ্গত প্ৰতিবাদ কৰিবলৈকো কিমান সঙ্কুচিত হয়, তাকেহে দেখুৱাইছোঁ। আন আন সভা বা ব্যক্তিবিশেষেও কেনেকৈ এই সঙ্কোচভাব প্ৰকাশ কৰিছে, সেই সম্পৰ্কে বাতৰি-কাকতৰ জন্মীয়তে নানা আলোচনা হৈছে। অসমীয়া বাইজৰ বহুতৰে বিশ্বাস যে বাউণ্ড টেবল কনফাৰেন্সত প্ৰদেশবোৰৰ সীমা নিৰ্দ্ধাৰণ সম্পৰ্কে প্ৰস্তাৱ গৃহীত হব, আৰু অসমীয়া প্ৰতিনিধি শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াই অসমৰ সীমা সম্পৰ্কে শেষ মীমাংসা কৰি আহি তাৰ সুফল অসমীয়াক ভোগ কৰিবলৈ দিব। কিন্তু এই ধাৰণা সম্পূৰ্ণ অমূলক ; সিদিনা আমিও শ্ৰীযুত বৰুৱা ডাঙৰীয়াৰ লগত এই বিষয়ে কথা পাতোতে তেখেতে কৈছিল যে বাউণ্ড টেবল কনফাৰেন্সৰ কৃতকাৰ্য্যতা সম্পৰ্কে এতিয়াও যথেষ্ট সন্দেহ আছে। এনেকি যদিও বা কিবা সুফল ফলে, তথাপি কোন কোন প্ৰদেশৰ সীমা নতুনকৈ নিৰ্দ্ধাৰিত হব লাগে, আৰু কি নীতিত হব লাগে, এই মৰ্ম্মে প্ৰস্তাৱ গৃহীত হব পাবে। কোন জিলা কোন প্ৰদেশত যোগ কৰিব লাগে এই বিষয়ে সেই সেই প্ৰদেশৰ জনমত অনুসৰি ভাৰত গবৰ্ণমেণ্টে নিৰ্ণয় কৰিব। গতিকে অসমত এটি প্ৰবল জনমত গঠিত নহলে, নতুন সীমা নিৰ্ণয়ত অসমৰ সুবিধা নহৈ অসুবিধাহে হব হ'বৰ সত্য। অসমীয়া বাইজে এই কথা বঢ়িয়াকৈ বুজা উচিত।

দুই এজন সমালোচকে কোচবেহাৰ, ৰংপুৰ, জলপাই-

গুড়ি আৰু মৈমনসিং আদি জিলা কেইখন আকৌ অসমৰ লগত জাপি দিব লাগে বুলি নানা সুচিন্তিত যুক্তি প্ৰকাশ কৰিছে, আৰু এই কেইখন জিলা যে আগেয়ে অসমত আছিল, তাৰ অধিবাসীসকল যে হাড়ে-হাড়ে অসমীয়া, তেওঁলোকৰ ভাষা, ৰীতি নীতি, আচাৰ ব্যৱহাৰ, ধৰ্ম্মানুষ্ঠান আদি সকলো যে অসমীয়া ৰাইজৰ লগত মূলতঃ একে, আৰু আজি অতদিনে বঙ্গদেশৰ লগত থাকিও যে তেওঁলোকে অসমীয়াত্ব এবি বঙ্গালীত্ব লব পৰা নাই, এতিয়াও যে এই কেইখন জিলাক অসমৰ লগত লগ লগাই নিদিলে এই জিলাৰ অধিবাসীসকলৰ উন্নতিৰ পথত চিৰকলীয়া বাধা পৰিব, এইবোৰ কথা কিছু পৰিমাণে আলোচনাৰ দ্বাৰা বহুতৰ অসমৰ পৰিকল্পনা কৰা হৈছে। সুপৰ কথা যে অসমৰ আন কোনো সভা-সমিতিয়ে কোচবেহাৰ আদি জিলা কেইখন দাবী কৰিবলৈ সাহ নকৰিলেও, মহিলা সমিতিয়ে এই মৰ্ম্মে এটি প্ৰস্তাৱ গ্ৰহণ কৰি, অসমীয়া মহিলাসকলে ন্যায়সঙ্গত নিৰ্ভীকতা প্ৰকাশ কৰি অসমীয়া জাতিৰ কৃতজ্ঞতাৰ পাত্ৰ হৈছে, আৰু তেওঁলোকৰ এই কামে অসমীয়া মতাসকলৰ মানসিক দুৰ্ব্বলতাৰ ঘোৰ নিন্দা কৰিছে। সিদিনা ষ্টেছমেন কাকতৰ মোৰহুটীয়া সংবাদদাতাই মহিলাসমিতিৰ এই প্ৰস্তাৱৰ কথা উল্লেখ কৰি মন্তব্য প্ৰকাশ কৰিছে যে গোৱালপাৰা, কাছাড় আৰু শ্ৰীহট্টক বঙ্গদেশলৈ নিব লাগে বুলি বঙ্গদেশত যি আন্দোলন চলিছে, তাৰ প্ৰতি-আন্দোলন স্বৰূপেহে এনে প্ৰস্তাৱ গৃহীত হৈছে। কিন্তু এই সংবাদদাতাজনৰ এই মন্তব্য যে সম্পূৰ্ণ ভিত্তিহীন আৰু নিজৰ বহণ লগোৱা মিছা কথা, এই কথা অসমৰ লগত বঙ্গদেশৰ কোচবেহাৰ, বংপুৰ আদি জিলা কেইখনৰ ঘনিষ্ঠতা সম্বন্ধে অভিজ্ঞ লোকসকলে বেছকৈ বুজি পাব। বঙ্গদেশৰ দৰে আনৰ সম্পদ অন্যায়কৈ আত্মসাৎ কৰিবলৈ হাবিয়াস অসমৰ নাই, অসমীয়াই ন্যায় আৰু অন্যায় দাবীৰ পাৰ্থক্য সুন্দৰকৈ বুজে আৰু সেইবাবেহে বঙ্গদেশৰ অন্যায় দাবীৰ প্ৰতিবাদ আৰু নিজৰ ন্যায় দাবীৰ দৃঢ়তা প্ৰকাশ কৰি নিজৰ প্ৰদেশৰ মুবিয়লি অসমীয়া জিলা কেইখন ঘুবাই খুজিছে। এই যুক্তিৰ সম্পূৰ্ণ সমৰ্থন কৰি আমিও কওঁ যে বহুতৰ অসমৰ পৰিকল্পনা কৰোঁতাসকলৰ এই কল্পনা কেৱল কল্পনাই নহয়, বাস্তৱিকতাৰ ফালৰ পৰাও ইয়াৰ যথেষ্ট মূল্য আছে। বঙ্গদেশৰ, ওপৰত উল্লেখ কৰা জিলা কেইখন কিয় অসমীয়াক লাগে, এই কথা অসমীয়া সমাজে বুজিছে কিন্তু নিজৰ যুক্তি যিমান ন্যায়সঙ্গত নহ'ক, তাক প্ৰকাশ নকৰাকৈ থাকিলে, আনে সেই যুক্তিৰ গুৰুত্ব বুজি পাব কেনেকৈ? সেইবাবে আজি প্ৰত্যেক অসমীয়াই সকলো সম্ভাৱিত উপায়েৰে ব্যক্তিগতভাৱে বা সংঘবদ্ধ হৈ নিজৰ অভিমত প্ৰকাশৰ দ্বাৰা অসমীয়াৰ এই দাবীৰ সাৰবত্তা ভাৰতৰ আন প্ৰদেশৰ অধিবাসী সকলক আৰু গৱৰ্ণমেণ্টক জনাই দিয়া উচিত। অসমীয়াই ভালকৈ জনা উচিত যে সমুহ ভাৰতৰ লগত সমানে ৰাজনৈতিক ক্ষমতা লাভৰ কাৰণে আন্দোলনত যোগ দিয়া যেনে উচিত, তেনেকৈ নিজৰ পৰিয়ালৰ সকলো মানুহকে গোটাই লৈ শক্তিসঞ্চয়ৰ দ্বাৰা জাতীয় উৎকৰ্ষৰ পথ মুকলি কৰা তাতকৈও বেছি উচিত। খণ্ডিত অসমে বৰ্ত্তমান অৱস্থাত অধিক ৰাজনৈতিক ক্ষমতাৰ সুফল ভোগ কৰিবলৈ সমৰ্থ হব বুলি আমাৰ সন্দেহ। যেতিয়ালৈকে একে কৃষ্টিৰ প্ৰভাৱত ডাঙৰ হোৱা একে ইতিহাসৰ ভেটিত থিয় হোৱা, একে ভাষাভাষী একে সমাজৰ মানুহবিলাক একে ৰাজনৈতিক বিভাগৰ তললৈ নাহে, তেতিয়ালৈকে অধিক ৰাজনৈতিক ক্ষমতাই জাতিৰ কোনো উপকাৰ সাধিব নোৱাৰে। বিশেষতঃ এই সমস্যাৰ সমাধানৰ ওপৰত অসমীয়াৰ অস্তিত্বৰ ঘাই অংশ এটা নিৰ্ভৰ কৰিছে। কংগ্ৰেছপন্থী অসমীয়াসকলে কব পাৰে যে ভাৰতৰ এই সঙ্কটকালত কোনো প্ৰাদেশিক সমস্যা তেওঁলোকে হাতত লব নোৱাৰে। কিন্তু এই সমস্যা আমাৰ অস্তিত্বৰ, জীৱন মৰণৰ সমস্যা। দেশৰ কথা ভাবিবলৈ যাওঁতে নিজৰ অস্তিত্বৰ কথা ভাবিলে কোনো দোষে পশিব নোৱাৰে, আৰু কোনো সঙ্কীৰ্ণতা আদি দোষে দুষুৰে। শ্ৰীযুত সেনগুপ্ত আৰু সুভাষ বসু আদি বঙ্গালী জননেতা-সকলে এই যুক্তিৰে শ্ৰীহট্টক বঙ্গদেশলৈ নিয়া প্ৰস্তাৱ সমৰ্থন কৰিছে; এনেকি শ্ৰীযুত সেনগুপ্তই কংগ্ৰেছৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সভা হৈও কাছাড় আৰু গোৱালপাৰাক



'ঘাটৰ বাটত'

লক্ষ্মীবিলাস প্ৰেছ, লিমিটেড।

শিল্পী—শ্ৰীগগণেন্দ্ৰ চন্দ্ৰ।

বঙ্গভুক্ত কৰাৰ অজ্ঞাময়ুলক প্ৰস্তাৱত যোগ দিছিল। অসমীয়া কংগ্ৰেছপন্থীসকলে অতি উদাৰতা গুণত নিজৰ অস্তিত্ব পাহৰি গোৱা অনুচিত। বৃহত্তৰ অসম গঠিত কৰা এই প্ৰস্তাৱ আজি সকলো অসমীয়াই সমৰ্থন কৰি, তাক জাতিৰ পুণ্যব্ৰত স্বৰূপে লোৱা আৰু কোনো এটি বিশেষ নিৰ্দ্দিষ্ট দিনত সভাই-সমিতিয়ে অসমৰ সকলো ঠাইত এইমৰ্ম্মে প্ৰস্তাৱ গ্ৰহণ কৰা বাঞ্ছনীয়।

ওপৰত বৃহত্তৰ অসম সম্পৰ্কে যি কোৱা হ'ল, সি কেৱল অসমৰ পৰিসৰ বা আয়তন সম্পৰ্কে। পূৰ্ণ অসম গঠনত যে এইটো ৰৰ আৱশ্যকীয় অংশ, তাক কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু ইয়াৰ বাহিৰেও বৃহত্তৰ অসম গঠন প্ৰসঙ্গত আন দুটি আৱশ্যকীয় বিষয় আছে। তাৰ এটা হৈছে, দেশৰ অধিবাসীসকলৰ বিষয়ে বিবেচনা। অসম উপত্যকা, সুৰমা উপত্যকা আৰু পাৰ্ব্বত্য প্ৰদেশ কেইখন লৈ বৰ্ত্তমানৰ ৰাজনৈতিক অসম গঠিত। খ্ৰীষ্টউৰ বাহিৰে এই প্ৰদেশৰ আন সকলো জিলাৰ অধিবাসীসকল ইতিহাস আৰু প্ৰাচীন আদৰ্শত মূলতঃ এক, কিন্তু তথাপি নানা কাৰণে কেৱল অসম উপত্যকাৰ অধিবাসীসকলকেই সম্পূৰ্ণ অৰ্থত অসমীয়া বুলি জনা যায়। মণিপুৰত চৈতন্যদেৱৰ বৈষ্ণৱধৰ্ম্ম আৰু বঙ্গালী ভাষাই ক্ৰমশঃ বিস্তৃতি লাভ কৰিবলৈ ধৰিছে, কাছাড়ত অসমীয়া অধিবাসীৰ সকলো দাবী উপেক্ষা কৰি প্ৰৱন্তুৰা বা আন স্বাৰ্থান্বেষী বঙ্গালীয়ে বিদেশী প্ৰভুত্ব স্থাপন কৰিবলৈ ওলাইছে, পাৰ্ব্বত্য প্ৰদেশবোৰত খৃষ্টীয়ান মিশুনেৰীসকলে খৃষ্টিয়ান ধৰ্ম্ম প্ৰচাৰ কৰি, তাৰ অধিবাসীসকলৰ মাজত ইংৰাজী প্ৰচলন কৰিছে। আজি কেইবছৰমানৰ পৰা এইবোৰ ঠাইত উদাৰ হিন্দুধৰ্ম্ম প্ৰচাৰৰ দ্বাৰা হিন্দুধৰ্ম্মৰ পৰিসৰ বঢ়াবলৈ বুলি "হিন্দুমিশ্ৰন", "ৰামকৃষ্ণ মিশ্ৰন" আদি প্ৰচাৰ সংঘয়ো প্ৰচাৰকাৰ্য্য আৰম্ভ কৰিছে, আৰু নতুনকৈ হিন্দুধৰ্ম্মত দীক্ষিত হোৱাসকলৰ মাজত ক্ৰমান্বয়ে ধৰ্ম্মোপদেশ দান, স্কুলস্থাপন আদিবে বঙ্গালী ভাষা শিকাবলৈ ধৰিছে। অসম উপত্যকাতো বিদেশীৰ সংখ্যা কম নহয়, তাৰ ভিতৰত চাহ বাগিছাৰ কুলী আৰু নতুনকৈ বসতি কৰা মৈমনসিঙীয়া মানুহৰ সংখ্যাই বেছি। হিমালয়ৰ দাঁতিকাষৰীয়া অসমৰ ভিতৰকৈ ঠাইবোৰতো বিৰোৱ মানুহৰ বাস, সেইবোৰবো বেছিভাগেই এতিয়াও পাৰ্ব্বত্য ভাষাভাষী আৰু আধুনিক সভ্যতাৰ আঁতৰত। বৰ্ত্তমানে হৈ যোৱা চেন্সাছৰ ফলাফল এতিয়াও প্ৰকাশ হোৱা নাই, নোহোৱালৈকে অসমীয়া ভাষাভাষী মানুহৰ সংখ্যাৰ বিষয়ে একো কব নোৱাৰি; কিন্তু এইটো ঠিক যে গোটেই প্ৰদেশৰ লোকসংখ্যা চাই অসমীয়া মানুহৰ সংখ্যা অতিশয় কম হব। গতিকে অসমৰ আয়তন বৃদ্ধি কৰা আৰু তাৰ দ্বাৰা সকলো অসমীয়াকে অসমৰ অধীনলৈ অনাটো যেনে আৱশ্যক, তেনেকৈ এই প্ৰদেশৰ অন্তৰ্গত সকলো অধিবাসীকে অসমীয়া কৰি লোৱাটোও অতি প্ৰয়োজনীয়।

কি উপায়েৰে এই কাম সম্ভৱ হব পাৰে, তাক ইতি পূৰ্ব্বে নানাপ্ৰসঙ্গত আলোচনা কৰি অহা হৈছে, বৰ্ত্তমানে তাৰ বিস্তৃত আলোচনা নিষ্প্ৰয়োজন। 'আৱাহন', 'অসমীয়া', 'বাতৰি' আদি কাকতেও এই সমস্যাৰ গুৰুত্ব বাইজক বুজাই দিবলৈ চেষ্টাৰ ত্ৰুটী কৰা নাই, কিন্তু অসমীয়া জাতিয়ে এই কথা বিশেষ আন্তৰিকতাৰে লোৱা বুলি মনে নধৰে। 'অসমীয়া সংৰক্ষিণী সভাই' মাজে সময়ে খৰ-ধৰকৈ দুই এটি কথা আলোচনা কৰিলেও বিশেষ উৎসাহেৰে কোনো গঠনমূলক কাৰ্য্যত প্ৰবৃত্ত হোৱা বুলি আমি নাজানো। কিন্তু বাইজে নিশ্চিতৰূপে জনা উচিত যে অসম দেশ ইংৰাজে অধিকাৰ কৰাৰ পিছত বিদেশী বঙ্গালী সকলে এই দেশৰ মানুহৰ হৈ মুখ পাতি কথা কৈ যেনেকৈ অসমীয়াৰ অস্তিত্ব পৰ্য্যন্ত লোপ কৰিবলৈ প্ৰয়াস পাইছিল, বৰ্ত্তমান সমস্যাও তাতকৈ কোনো গুণে কম নহয়। এই বিদেশীসকলে অসমৰ বুকত ডাঙৰ দীঘল হৈ, তুৰ্কীৰ গ্ৰীক অধিবাসীসকলে বাইজেনটাইন সাম্ৰাজ্য পুনঃ প্ৰতিষ্ঠা কৰিবলৈ বিচৰাৰ দৰে, অসমত বিদেশী প্ৰভুত্ব বঢ়াবলৈ চেষ্টা কৰাৰ অৰ্থ অসমীয়াৰ অস্তিত্ব বিনাশ নহয় নে? তুৰ্কীৰ কামাল পাছাৰ দৰে ৰাজক্ষমতা অসমীয়াৰ হাতত নাই, কিন্তু আন ধৰণৰ যিধিনি কৰ্ম্মক্ষমতা আছে, তাৰ প্ৰয়োগৰ দ্বাৰা অসমীয়া বাইজেও অসমীয়া ভাষা, সাহিত্য আৰু ধৰ্ম্মৰ সহায়েৰে এই মানুহবিলাকক অসমীয়া কৰি লব পাৰে।

ৰামকৃষ্ণ মিশ্ন, হিন্দু মিশ্ন আদিয়ে যি সুন্দৰভাবে গঠনমূলক কাৰ্য্যৰ দ্বাৰা বাইজৰ হিত সাধিছে, তাৰ দ্বাৰা তেওঁলোক সমূহ ভাৰতবাসীৰ ধন্যবাদৰ পাত্ৰ হৈছে। তেওঁলোকৰ এই উদাৰ স্বাৰ্থত্যাগ আমাৰ প্ৰশংসনীয়, আৰু সকলোৱে এই হিচাপে এনে অনুষ্ঠানক সাহায্য কৰা বাঞ্ছনীয়; কিন্তু প্ৰাদেশিক স্বাৰ্থভাব তাৰ লগত মিহলাই লৈ অসমৰ বুকুত যেতিয়া তেওঁলোকে বঙ্গদেশৰ উপনিবেশ পাতিবলৈ বিচাৰে, তেতিয়া আমি তাৰ ঘোৰ প্ৰতিবাদ নকৰি নোৱাৰোঁ। জগতে আমাৰ উদাৰীভাব বাবে নিজক নিজে ছবিবলৈ বাধ্য হওঁ। অসমৰ দৰে শঙ্কৰ-মাধৱৰ দেশতো যে আন প্ৰদেশৰ ধৰ্ম্মমতে ইয়াত প্ৰতিষ্ঠা লাভ কৰি অহিন্দুক হিন্দু কৰি লোৱাৰ ব্যাহ্যা কৰে, ই অসমীয়াৰ পক্ষে অতিশয় দুখ আৰু অনীম পৰিতাপৰ কথা। কুৰি শতিকাত যি অস্পৃশ্যতা আন্দোলনে ভাৰতৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত তোলপাৰ লগালে, তাৰ নেতৃত্ব গ্ৰহণ কৰিব লাগিছিল অসমীয়াই। অসমীয়াৰ দুৰ্ভাগ্য ওপত সি তো নহলেই, আজি বিদেশৰ উদাৰ ধৰ্ম্মানুষ্ঠানবোৰৰ সঙ্গ আদৰ্শ আৰু অসমত তাৰ প্ৰভাৱ উপলব্ধি কৰি, পবিত্ৰ মহাপুৰুষীয়া ধৰ্ম্মৰ আধুনিক নায়ক আৰু তেওঁলোকৰ অগণন শিষ্য সমূহ অসমীয়াই বিদেশীৰ ধৰ্ম্মাদৰ্শৰ প্ৰশংসা কৰিছে। এই সুযোগতে বিদেশী সকলে অসমৰ চুকে-কোণে আঁহত গছৰ দৰে শিপাই লৈছে, অসমীয়াৰ তালৈ কাণ-সাৰ নাই। আজি ৩.৪ বছৰ পূৰ্ব্বে অসমীয়াত "শঙ্কৰ মিশ্ন" নামে প্ৰৱৰ্দ্ধত এই সমস্তা সম্বন্ধে বিশেষ আলচনা কৰা হৈছিল, তাৰ পিছত "অসমীয়া" "আৱাহন" "বাতৰি" আদিয়ে এনে মিশ্ন এটিৰ আৱশ্যকতা সম্পৰ্কে যথেষ্ট কথা কৈ আহিছে। আমাৰ দৃঢ় বিশ্বাস, এনে এটি মিশ্নলে "ৰামকৃষ্ণ মিশ্ন" "হিন্দু মিশ্ন" আদিতকৈ বিশেষ কৃতকাৰ্য্যতাবে কাম কৰিব পাৰিব, কাৰণ অসমৰ প্ৰায় সকলো অহিন্দুৱে মহাপুৰুষীয়া ধৰ্ম্ম কথা কিছু পৰিমাণে জানে, আৰু এই পবিত্ৰিত ধৰ্ম্ম এটি গ্ৰহণ কৰিবলৈ তেওঁলোক অতি সহজে মাস্তি হব। এই উপায়েবে অসমীয়া পাৰ্ব্বত্য জাতিসকলৰ মাজত ধৰ্ম্মৰ সহায়েবে তেওঁলোকক অসমীয়া হিন্দু কৰি লোৱা অতি সহজ হব।

"শঙ্কৰ মিশ্নে" নিজৰ কাৰ্য্যৰ পৰিসৰ বঢ়াই লৈ সকলো প্ৰকাৰে জনহিতকৰ অনুষ্ঠান এটি গঢ়ি তুলিব পাৰে। "অসম সাহিত্য সভাৰ" সাহায্যত বা "অসম হিন্দু মহাসভা", "অসমীয়া সংৰক্ষিণী সভা" নাইবা নতুনকৈ গঠিত হোৱা কোনো অনুষ্ঠানে অবিলম্বে এই কাৰ্য্য হাতত লোৱা বাঞ্ছনীয়। উচ্চোক্তা ওগালে কৰ্ম্মীৰ অভাৱ কেতিয়াও নহয়, টকাবো নাটনি নহয়; লাগে কৰ্ম্মক্ষম, নিঃস্বাৰ্থ নায়ক।

কাছাড়, মণিপুৰ, পাৰ্ব্বত্য জিলাবোৰ আৰু বঙ্গদেশৰ কোচবিহাৰ, বংপুৰ, মৈমনসিং আৰু জলপাইগুড়িত এতিয়াও কিমান অসমীয়া মানুহ আছে, সেই বিষয়ে এটি তদন্ত কমিটি অতি শীঘ্ৰ নিযুক্ত হোৱা উচিত। এই কমিটিয়ে বিভিন্ন ঠাইলৈ গৈ অনুসন্ধান কৰি তাৰ বিশেষ বিবৰণী প্ৰকাশ কৰিব, আৰু সেইবোৰ ঠাইত অসমীয়া ভাষা প্ৰচাৰৰ উপায় কি ইত্যাদি বিষয়ে মতামত জনাব লাগে। আমি জনাত ঘোৱা বছবত, অসম সাহিত্য সভাৰ প্ৰতিনিধি স্বৰূপে শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস ডাঙৰীয়াই সুঁৱমা উপত্যকালৈ গৈ কাছাড়ত কেইঘৰমান অসমীয়া গাওঁ বিচাৰি পাইছিল, আৰু সেই কথা কাকতে-পত্ৰই প্ৰকাশ কৰিছিল। কিন্তু "অসম সাহিত্য সভাই" সেই অসমীয়া অধিবাসী সকলৰ বিষয়ে কোনো বিশেষ ব্যৱস্থা কৰা নাই, আৰু বোধহয়, এইবোৰ কাৰণেহে সিদিনা ছিলটীয়া এজনে কাছাবৰ মানুহ বিলাক বঙ্গালীহে বুলি কোৱাতো সাহিত্য সভাৰ প্ৰতিনিধি বা বিষয়া সকলে গণাঘৰ উত্তৰ দি তেওঁৰ মুখ মাবিব নোৱাৰিলে।

এনে এখন তদন্ত কমিটিয়ে চাহ বাগিছাৰ কুলী, দাঁতিকাৰীয়া নেপালী আদি আন আন মানুহ বিলাকৰ বিষয়েও অনুসন্ধান কৰিব লাগে, আৰু অসম সাহিত্য সভাই এনেবোৰ কাম হাতত লব লাগে। বহুবি নানা প্ৰতিযোগিতা ঘোষণা কৰি সাহিত্যৰ অঙ্গ পুষ্টি অৱশ্যে আৱশ্যক, কিন্তু আমি উল্লেখ কৰা এনেবোৰ বা এই উদ্দেশ্যমূলক অইন কাম আৰু বেছি আৱশ্যকীয়। অহা অধিবেশনত সাহিত্য সভাই এই বিষয়ে বিস্তাবিত আলোচনা কৰা উচিত হব।

মৈমনসিঙীয়া বহুত মানুহ আহি অসম উপত্যকাত বসতি কৰিছে। অৱশ্যে এই বিলাক মানুহৰ মাজত এতিয়া প্ৰায়েই অসমীয়া স্কুল স্থাপিত হৈছে, কিন্তু সেই বুলি দুই এখন যে বঙ্গালী স্কুল নাই, তেনে নহয়। এই বঙ্গালী স্কুলবোৰে যাতে কোনো প্ৰকাৰ প্ৰতিপত্তি লাভ কৰিব নোৱাৰে, আৰু অচিৰতে উঠি যায়, তাৰ বাবে আৰু যাতে এই নতুন অধিবাসী সকল সকলো প্ৰকাৰে অসমীয়া হৈ পৰে, তাৰ বাবে অসমীয়া বাইজে বিশেষ যত্ন কৰা উচিত। সুখৰ কথা যে এই বিলাকৰ বহুতে নিজেই বুজিছে যে অসমত বাস কৰিছে যেতিয়া, তেওঁলোক অসমীয়া।

সীমা সালসলনি কৰি সকলো অসমীয়াকে একত্ৰিত কৰা, আৰু দ্বিতীয়তঃ এই বৃহত্তৰ অসমৰ চৌসীমাৰ ভিতৰৰ অধিবাসী সকলক সকলো প্ৰকাৰে অসমীয়া কৰি লোৱাৰ বাহিৰেও পূৰ্ণ অৰ্থত বৃহত্তৰ অসম গঠন কৰিবলৈ আন এটি ফালে চেষ্টা কৰা আৱশ্যক। প্ৰথমটোক বৃহত্তৰ অসমৰ শাৰীৰিক পুষ্টি বিষয়ক আৰু বৰ্ত্তমান আলোচ্য এই তৃতীয়টোক মানসিক পুষ্টিবিষয়ক চেষ্টা বুলিব পাৰি। দ্বিতীয়টোক এই হিচাপে আংশিক পৰিমাণে শাৰীৰিক আৰু আংশিক পৰিমাণে মানসিক পুষ্টি বিষয়ক চেষ্টা বুলি কোৱা যায়। এই তৃতীয় চেষ্টাবে অসমৰ সকলো বিষয়ৰ সম্পৰ্কে জগতৰ আগত দাঁড়ি ধৰি, জাতিৰ সম্মান বঢ়াবলৈ যত্নপৰ হব লাগে। পৃথিবীৰ আন আন দেশত নালাগে ভাবতৰ বিভিন্ন প্ৰদেশৰ মানুহে এনেকি অসমৰ কাঁবিৰ কোণত থাকিও বঙ্গবাসী সকলে অসমৰ কথা একোকে মাজানে। জগতৰ আগত আজিও অসম Cinderella province অৰ্থাৎ কিবা এখন আচবিত দেশ। এনেকি মহাত্মা গান্ধীয়েও অসমলৈ অহাৰ পূৰ্ব্বে অসমত অন্যান্য মানুহৰ বাস বুলিহে জানিছিল। সেই বাবে নানাপ্ৰকাৰ প্ৰচাৰ কাৰ্য্যৰ সহায়েবে বিদেশী সকলক অসমৰ বিষয়ে প্ৰকৃত তথ্য জানিবলৈ দিয়া উচিত। অসমত এই বিষয়ক কোনো বিশেষ চেষ্টা হোৱা নাই বুলিয়েই আজিও জয়মতীৰ দৰে জগততে অতুলনীয়া সতী এণাবাকীৰ কথাও বিদেশীয়ে জনা নাই, এনেকি জয়মতী, গদাধৰ, কত্ৰসিংহ, শঙ্কৰ-মাধৱ, লাচিত বৰফুকন, নৰনাৰায়ণ, চিলাৰায় আদি মহামানৱ সকলৰ গৌৰৱময় কাহিনী আনক কব পবা নাই। এই বাবে প্ৰচাৰ কাৰ্য্যৰ আৱশ্যক। তাৰ দ্বাৰা বিদেশীসকলে তো অসমৰ কথা জানিবই, অসমীয়া ল'ৰাছোৱালীয়েও সকলে পবা পুৰণি গৌৰৱৰ কথাবোৰ জানি, সেইবোৰৰ পিনে আকৃষ্ট হব, আৰু এই আকৰ্ষণে জাতীয় মন গঠন কৰাত বিশেষ সহায়তা কৰিব। অৱশ্যে জগতৰ আগত অসমৰ সম্পদ ৰাশি প্ৰচাৰ, অসমৰ নিজৰ বিশ্ববিদ্যালয় নোহোৱালৈকে সম্পূৰ্ণৰূপে সম্ভৱ নহয়, অসমীয়া ভাষা নাইবা সাহিত্যৰ কথা বা ঐতিহাসিক তথ্যৰাশি অনুসন্ধান আৰু ভাবতৰ ইতিহাসত তাৰ স্থান নিৰ্ণয় কবাটো নিজৰ বিশ্ববিদ্যালয় নহলে এক প্ৰকাৰ অসম্ভৱ। এই বাবে আৰু আন আন বহুত কাৰণে অসমত সুকীয়াকৈ এটি বিশ্ববিদ্যালয় স্থাপিত হোৱা উচিত। কিন্তু যেতিয়ালৈকে বিশ্ববিদ্যালয় নহয়, তেতিয়ালৈকে প্ৰাচীন সাহিত্য বা ঐতিহাসিক তথ্য সংগ্ৰহ বিষয়ত "সাহিত্য সভাই" আৰু আন আন নানা সম্পদ সংগ্ৰহ বিষয়ত আন আন অনুষ্ঠান বা ব্যক্তিবিশেষে "কামৰূপ অনুসন্ধান সমিতিক" সহায় কৰিব পাৰে। "সাহিত্য সভা" বা আন অনুষ্ঠানব সহযোগিতাত "অনুসন্ধান সমিতি"য়েও সংগৃহীত নানা বস্তু বা পুথি আদিৰ বিষয়ে পুস্তিকা আদি প্ৰকাশ কৰি আৰু দৰ্শকসকলৰ সুবিধাৰ অৰ্থে নানাপ্ৰকাৰে এই সম্পদবাশিৰ প্ৰতি দেশী-বিদেশী সকলো মানুহৰে মন আকৰ্ষণ কৰিব পাৰে। "অনুসন্ধান সমিতিৰ" প্ৰচাৰকাৰ্য্যৰ আৱশ্যকতা সম্পৰ্কে ২য় বছৰৰ ১২শ সংখ্যা "আৱাহনত" "ভাৰতীয় জ্ঞানসাধনাত নলন্দৰ স্থান" শীৰ্ষক প্ৰৱন্ধত যথেষ্ট আলোচনা কৰা হৈছে।

প্ৰথমত উল্লেখ কৰা চেষ্টাবে অসমক বৃহত্তৰ অসম স্বৰূপ পুনৰ্গঠিত কৰা যেনে আৱশ্যকীয়, দ্বিতীয় চেষ্টাবে যেনেকৈ সুদৃঢ় ভেটিত অসমীয়া জাতি গঠন কৰা প্ৰয়োজনীয়, তেনেকৈ অসমৰ বৈশিষ্ট্য সম্বন্ধে বহিৰ্জগতক জানিবলৈ দি বিদেশীসকলৰ মনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাও জাতীয় জীৱনৰ পবিপুষ্টি সাধন আৰু বৃহত্তৰ অসম

গঠন বিষয়ত অতিশয়ত দকাৰী। প্ৰচাৰ কাৰ্য্যৰ সুযোগ পোৱাতহে প্ৰাচীন সম্পদত দুখীয়া বন্ধানী সাহিত্যই নিষ্কইতৰ প্ৰাচীন সম্পদকো জগতৰ গৌৰৱৰ কৰি তুলিব পাৰিছে; অথচ অসমীয়াৰ এই অতুল সম্পদৰাশিৰ কথা ভাৰতৰ আন প্ৰদেশৰ অধিবাসীয়েও নাজানে।

অসমৰ পক্ষে বৰ্ত্তমানে বিষম সঙ্কট উপস্থিত হৈছে। আমি আলোচনা কৰা তিনিপ্ৰকাৰ চেষ্টাকেই একে সময়তে কৰিব লগীয়া হৈছে। সমগ্ৰ ভাৰতবাসীৰ লগত ৰাজনৈতিক অধিকাৰ লাভৰ চেষ্টা কৰা অৱশ্যে অতি আৱশ্যকীয়, কিন্তু অসমৰ বিশেষ অৱস্থাপৈ চাই বাকী কেইটা কামকো একেলগে কৰিব লাগিব, কোনোটোকে পিছ পেলাই থব নোৱাৰি। সেইবাবে বিভিন্ন বিভিন্ন অনুষ্ঠানে যোগ্যতা অনুসৰি প্ৰত্যেকটো কাম হাতত লোৱা আৱশ্যক হৈ পৰিছে। অসমীয়া ৰাইজে মনত ৰাখিব যে এই ৰাজনৈতিক পৰিবৰ্ত্তনৰ ফলে লগে প্ৰাদেশিক সীমা আৱশ্যকতা অনুসৰি নিৰ্দ্ধাৰিত কৰি লব নোৱাৰিলে ভবিষ্যতে সেই কাম অতি কঠিন হৈ পৰিব। বৃহত্তৰ অসম গঠন কৰিবলৈ আজি যি কল্পনা কৰা হৈছে, সেই কল্পনা কাৰ্য্যত পৰিণত কৰা মুঠেই দুঃসাধ্য নহয়, বৰং অসমৰ জাতীয় জীৱনৰ পৰিপুষ্টিৰ অৰ্থে ই অতিশয় প্ৰয়োজনীয়। অসমৰ ভবিষ্যত এই কল্পনাৰ ওপৰত বিশেষকৈ নিৰ্ভৰ কৰিছে।

চিত্ৰটিৰ উদ্দেশ্যে

কবিতা— —শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা

(ক)

সোণৰ পানী চৰোৱা কপৰ শৰাই,
তাতে গাঁথি মালাধাৰি সুগন্ধি ফুলেৰে,
মুগাৰ মেখেলা বিহা উলাহেৰে পিন্ধি,
মেৰ চৰা পাৰি বহি ভকতি মনেৰে,
হে তুমি, অসম-কন্যা, অসম-জীয়াৰী!
কাক আহ্বানিছা আজি? বিচাৰিছা কাক
ভক্তিৰ অঞ্জলি দিব হেপাহ পুৱাই
হিয়া-থাপনাত থাপি, কৰালে আমাক?
ক্ষণৰ ঘণ্টাধ্বনি, হিয়াখনি বেদী,
ভক্তি-প্ৰেম চন্দনেৰে সিক্ত কৰি মালা।
পূজিব খুজিছা নেকি মুকুন্দমুৰাৰি
শ্ৰীনন্দ-সুতক আজি আৰতিৰ বেলা?
বধানো তোমাক, ধন্য অসম-জীয়াৰী!
ঘোষোক জগতে কীৰ্ত্তি তোমাৰ সুন্দৰী!

(খ)

কবি কঙ্কণৰ ধ্বনি বজোৱাঁ চাপৰি, আই!
শুনি সেই ধ্বনি পুনু দোৰ নিদ্ৰা এৰি
উঠক অসমবাসী,—অসমৰ ভাগ্যলক্ষ্মী
(জননী—ভনীটী সবে) মোহ পৰিহৰি॥
তোমাক মেখেলা বিহা পিন্ধা দেখি সাজপাৰ,
আছুৰি পেলক ছিন্ধি ভনীটী সকলে
বঘুমলাকপী "সাড়ি"—বিদেশীক পিন্ধা দেখি
"চেমিজ", "জাকিট" ছোলা য'ক বলাতলে॥
তোমাৰ ই সাজ হ'ক অসমত ঘৰে ঘৰে,
বিভূৰ পূজাত হ'ক চৰা পুণ্যাসন;
কঙ্কণৰ ধ্বনি শুচি হ'ক আজি বেদধ্বনি,
ভক্তিৰ চকুলোধাৰি সুগন্ধি চন্দন॥
য'ক বঘুমণা "সাড়ি", বিদেশৰ আমদানী,—
আপোনাৰ বস্ত্ৰ ল'ক সাদৰে চপাই আনি॥

বিপ্লবৰ পিছত ৰুছিয়া

(৩)

—শ্ৰীযুত মধুসূদন দাস, বি-এ

বলছেভিকসকলে কছিয়াৰ জনসাধাৰণৰ মাজত শিক্ষা বিস্তাৰৰ অৰ্থে যি কৰিছে, সিহঁতৰ হিতৰ অৰ্থে আন কোনো



লেনিন

বিষয়তে হাত নিদিলেও অকল ইয়ে তেওঁলোকৰ নাম কছিয়াত চিৰস্মৰণীয় কৰি ৰাখিলে হেঁতেন। বিংশ শতিকাৰ আৰম্ভণত অন্যান্য য়ুৰোপীয় দেশৰ তুলনাত কছিয়া আটাইতকৈ শিক্ষা বিষয়ত পিছ পৰা দেশ আছিল। ১৯০৪ চনৰ হিচাপমতে কছিয়াত শতকৰা মাত্ৰ ৩জন লৰা ছোৱালী স্কুলত পঢ়া দেখা যায়। কিন্তু সিহঁতকো পঢ়িবৰ সুবিধা খুব কম দিয়া হৈছিল; সপ্তাহত পঢ়োৱা হৈছিল মাত্ৰ ২৭ ঘণ্টাকৈ, আৰু এই সময়ৰ ১২ ঘণ্টা-গিৰ্জ্জা আৰু ধৰ্ম্ম সম্বন্ধীয় কামত অপব্যয় হৈছিল। তদুপৰি আইন আৰু শৃঙ্খলাৰ দ্বাৰাই ছাত্ৰসকলক এনেকৈ বান্ধি ৰখা হৈছিল যে স্বাধীন চিন্তাৰ শক্তিয়ে সিহঁতৰ পৰা চিৰদিনলৈ বিদায় লব লগাত পৰিছিল আৰু ছৰকাৰী গুপ্তচৰ সকলৰ দ্বাৰাই ছাত্ৰসকল ইমান উৎপীড়িত হৈছিল যে বহতে বাধ্য হৈ বিদ্যালয় এৰিব লগাত পৰিছিল। প্ৰকৃত কথা জনসাধাৰণৰ অন্ধকাৰত ৰখাই জাৰৰ শাসননীতিৰ প্ৰধান উদ্দেশ্য আছিল আৰু জাৰৰ ৪ৰ্থ শিক্ষামন্ত্ৰী ডিচোকভে স্পষ্ট ভাষাত কৈছিল যে আন আন মূল্যবান বস্তুৰ নিচিনাকৈ শিক্ষাও দুৰ্লভ হলেহে তাৰ মূল্য থাকে। যাকে তাকে শিখা-পঢ়া শিকিবৰ সুবিধা দিলে ফলত সি হিতকৰ নহৈ অপকাৰজনক হে হয়। শিখা-পঢ়া শিকা তেতিয়া ভাঙ্গৰ মানুহৰ লৰা-ছোৱালীসকলৰ বিলাসৰ এটি অঙ্গ আছিল আৰু দুখীয়া লোকৰ লৰাছোৱালীৰ পক্ষে শিখাপঢ়াটো ধাউতি দেখুওৱাকো দুৰাশা বুলি ধৰি লোৱা হৈছিল। এই বিলাক কাৰণে কৃষ-জাতি তেতিয়া য়ুৰোপত ভালুকৰ জাতি বুলি আখ্যাত হৈছিল।

ছোভিয়েট গৱৰ্ণমেণ্টে শাসনভাৰ গ্ৰহণ কৰিয়েই দেশৰ পৰা এই প্ৰকাণ্ড অজ্ঞতা দূৰ কৰিবলৈ সংকল্প কৰিলে আৰু এই অৰ্থে সকলোবো আগে শিক্ষা সংস্কাৰ বিষয়ত মনোযোগ দিলে। বিপ্লবৰ গোলযোগ থামি যোৱাৰ পিছতে, ১৯১৮



চোভিয়েট কৰ্তায়াই ধৰ্ম্মৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাৰ আগেয়ে ধৰ্ম্ম পুৰোহিতসকলে মন্দিৰৰ সকলো মণি মুকা ঘৰলৈ আঁতৰাব লাগিছে।

চনত মস্কো নগৰত বহা "সদৌ কছিয়াৰ শিক্ষা বিষয়ক মহাসভা"ত কছিয়াৰ শিক্ষাবিস্তাৰৰ নতুন প্ৰণালী গঠন কৰা হয়। আৰু ইয়াৰ পিছৰ পৰাই জনসাধাৰণৰ মাজত শিক্ষাৰ নিমিত্তে এক অপূৰ্ব আগ্ৰহে দেখা দিলে। নানা ৰকমৰ স্কুল ঠাইে ঠাইে স্থাপিত হ'ল আৰু দলে দলে লৰাৰ পৰা বুঢ়ালৈকে সকলো বয়সৰে ছাত্ৰ আহি সমান বয়সী মানুহৰ নিচিনাকৈ সমান উৎসাহেৰে লিখা-পঢ়া শিকিবলৈ আৰম্ভ কৰিলে। তাৰ পিছত দুৰ্ভিক্ষ আৰু যুদ্ধৰা বিৰাৰে কিছুমান দিনৰ নিমিত্তে জনসাধাৰণৰ মাজত শিক্ষা বিস্তাৰ পণত বিঘ্ন স্বৰূপ হৈছিল কিন্তু এইবিলাক বাধা-বিঘ্নৰ পৰা মুক্ত হৈ, ১৯২১ চনৰ পৰা চোভিয়েট গৰণমেণ্টে একাগ্ৰতাৰেৰে শিক্ষা বিস্তাৰ কামত লাগিছে আৰু তাৰ ফলত বিপ্লৱৰ পূৰ্ব্বে যি কছিয়াত শতকৰা মাত্ৰ ১৮ জন মানুহে



জৰ্ম্মানীৰ লগত যুদ্ধৰ সময়ত দেশৰ আহ্বানত কটীয়াৰ এই সক বিলাকেও সৈন্য বিভাগত যোগ দিছিল

কোনো বিধৰ শিক্ষা পাইছিল, তাত ১৯৩০ চনৰ শেহত শতকৰা প্ৰায় ৮০ জন মানুহে কাম চলাৰ পৰাকৈ লিখিব পঢ়িব জানে বুলি প্ৰকাশ থাকে।

১৯২৪-২৫ চনৰ শিক্ষা বিষয়ক ছৰকাৰী বিবৃতিত কছিয়াৰ ছাত্ৰ আৰু স্কুলৰ সংখ্যাৰ বিষয়ে তলত লিখা বিৰৱণটো প্ৰকাশ হয়—



চোভিয়েট ৰাজধানী পেট্ৰোগাৰ্ডৰ এটা ৰাজ আলি

স্কুলৰ নাম	স্কুলৰ সংখ্যা	ছাত্ৰসংখ্যা
এলিমেণ্টাৰি স্কুল,	৮৬,৭০১	৭০,৭৭,৪১০
৭ বছৰীয়া পাঠ্যতালিকাযুক্ত স্কুল	৩,৮২১	১৩,১৩,৩৮২
৯ বছৰীয়া পাঠ্যতালিকাযুক্ত স্কুল	৭৮১	৪,৫০,৫৪১
চেকেণ্ডাৰি স্কুল	১,০৪৭	২,৭৬,৭২৬
কিণ্ডাৰ গাৰ্টেন স্কুল	৩,৩০৮	৩,৫৭,৭১৫
শিশু-বিদ্যালয়	১,১৬৪	৬১,৪৫০
সাধাৰণ স্কুল	২৬৪	৪৬,৭৩৫
বিকলাঙ্গ লৰা ছোৱালীৰ স্কুল	৫৪০	৩৩,৮২৬
ভোকেশ্যনেল স্কুল	৩,০৩৯	২,৮৩,৫০৬
টেক্‌নিকেল স্কুল	৯০৩	১,৬২,১৯৭
বহুৱা কলেজ	১১৪	৪৩,১০৯
উচ্চ শিক্ষাৰ কলেজ	১৭০	১৭০,৮১১

স্কুলৰসংখ্যা ১,০১,৮৭৩ ছাত্ৰসংখ্যা ১,০১,৭৭,৪০৮

এই হিচাপৰ পৰা শতকৰা ৬ জনৰ কিছু অধিক লোকে ছৰকাৰী বিদ্যালয় বিলাকত লিখা-পঢ়া শিকা দেখা যায়, কিন্তু বিপ্লৱৰ আগতে শতকৰা মাত্ৰ ৩ জনেহে লিখাপঢ়া কৰিবৰ সুযোগ পাইছিল। এই অলপ সময়ৰ ভিতৰতে

বিদ্যালয়বোৰৰ ছাত্ৰসংখ্যা দুগুণৰ বেছি হোৱাৰ পৰাই ছোভিয়েট গৰণমেণ্টে শিক্ষা বিস্তাৰৰ অৰ্থে কিমান যত্ন কৰিছে আৰু তাত কি পৰিমাণে কৃতকাৰ্য্য হৈছে তাক ভালকৈ জানিব পৰা যায়।



চহৰীয়া কটীয়াবাসী সকলৰ গ্ৰীষ্মকালৰ জিৰণীৰ ঠাই—এই গৰবিলাক কাঠেৰে সজা হয়। আৰু কটীয়াবাসী সকলে সাধাৰণতে কাঠৰ ঘৰকে বেছি ভাল পায় আৰু কাঠৰ জাৰণিৰ মাজত ঘৰ সাজি থকা মানুহ বহু দেখা যায়।

কছিয়াৰ শিক্ষা প্ৰণালীৰ এটি বৰ ডাঙ্গৰ বিশেষত্ব এই যে তাৰ বিদ্যালয় বিলাকত কেৱল কিতাপৰ পাত মুখস্থ কৰা শিক্ষা দিয়া নহয়; তাৰ একোটা বিদ্যালয় একোখন কৰ্ম্মক্ষেত্ৰ বিশেষ। ভবিষ্য-জীৱনত যি কাম কৰিব লাগিব, তাত সেইবোৰ কাম কৰিবলৈ ভালকৈ শিকায় আৰু ছাত্ৰসকলে শেষত নিযন্ত্ৰণৰ সংখ্যা নবঢ়াই যাতে উপযুক্ত নাগৰিক হৈ, সিহঁতৰ কামৰ আৰু জীৱনৰ দায়িত্ব বুজি দেশৰ আৰু দহৰ মঙ্গলসাধন কৰিব পাৰে তাৰ নিমিত্তে সদায় যত্ন কৰা হয়। তাৰ ছামক সকলো বিষয়তে উপযুক্ত আৰু কৰ্ম্মিষ্ঠ নাগৰিক (Practical Citizen) কৰি গঢ়ি তুলিবলৈ শিক্ষকসকলক আদেশ দিয়া হয়। ছোভিয়েট গৰণমেণ্টৰ শিক্ষা সম্বন্ধে ধাৰণা হৈছে এই— "The real education,it is felt, must be based on the actual environment and experience of the child and it must fit him for the work he will have to do in after life."—অৰ্থাৎ এইটো অনুভৱ কৰা হৈছে যে যি শিক্ষা লৰাৰ প্ৰকৃত আবেষ্টন আৰু অভিজ্ঞতাৰ ওপৰত স্থাপিত হৈছে, সিহে প্ৰকৃত শিক্ষা; আৰু ই তাক ভবিষ্যতে কৰিব লগীয়া কামৰ উপযুক্ত কৰি তুলিবই লাগিব।

কছিয়াত শিক্ষাৰ আৰু এটি বিশেষত্ব এই যে তাত বাধ্যতামূলক শিক্ষাৰ বিনাপইছাত ব্যৱস্থা কৰা হৈছে। বাধ্যতামূলক শিক্ষাক এলিমেণ্টাৰি (Elementary), চেকেণ্ডাৰী (Secondary) আৰু অবলিগেটৰি (Obligatory) এই তিন ভাগত কৰিছে আৰু তিনিবছৰৰ পৰা ষোল বছৰৰ বয়সলৈকে সকলো লৰা-ছোৱালীক এই তিনিও ৰকমৰ স্কুলত পঢ়িবলৈ বাধ্য কৰা হয়। তাৰ পিছতো যিবিলাকে ইচ্ছা কৰে সিবিলাকে উচ্চ বিদ্যালয়ত শিক্ষা লাভ কৰিব পাৰে। গৱৰ্ণমেণ্টে শিক্ষাৰ উদ্দেশ্য বিষয়ে এইদৰে ঘোষণা কৰিছে—To promote all round development of all individual who shall be healthy, strong, active, courageous, independent in thought and action with a many-sided culture an efficient person striving for the interest of the working class—শিক্ষাৰ প্ৰধান উদ্দেশ্য হৈছে সকলো শ্ৰেণীৰ মানুহৰে সৰ্ব্বাঙ্গিন



কটীয়াবাসী সকলৰ গান বৰ প্ৰিয় বস্তু। কটীয়াৰ চিপাহীবিলাকে অবসৰ সময়ত গান বাজনাৰে আমোদ কৰিছে।

উন্নতি সাধন কৰা, যাতে সিসকলে স্বাস্থ্য আৰু বলসম্পন্ন, কৰ্ম্মিষ্ঠ, সাহসী, চিন্তা আৰু কামত স্বাধীন আৰু সকলো বিষয়তে অভিজ্ঞ আৰু উপযুক্ত হৈ বহুৱা সম্পাদায়ৰ স্বাৰ্থ-ৰক্ষাৰ অৰ্থে চেষ্টা কৰিবলৈ সমৰ্থবান হয়। তাত অকল মস্তিষ্ক পৰিচালনা কৰাকে শিক্ষা বুলি ধৰা নাই, চৰিত্ৰগঠন আৰু দৈহিক শক্তি সঞ্চয়কো শিক্ষাৰ অঙ্গ বুলি ধৰি লৈছে।

এইদৰে শিক্ষা বিস্তাৰ কৰিব লাগিলে এটি সাধাৰণ মাতৃভাষাৰ অত্যন্ত প্ৰয়োজন কিন্তু ভাৰতবৰ্ষৰ নিচিনাকৈ কছিয়াত কেইবাটিতও ভাষাৰ প্ৰচলন আছে আৰু তাত এটা ভাষাৰ লগত আন এটা ভাষাৰ প্ৰায় মিল নথকা। কিন্তু এই অসুবিধাই কছিয়াৰ গৱৰ্ণমেণ্টক নিৰুৎসাহ কৰিব পৰা নাই। ভাষাৰ অসুবিধাৰ নিমিত্তে যাতে কোনেও শিক্ষা নোপোৱাকৈ থাকিব নোৱাৰে তাৰ নিমিত্তে বেলেগ বেলেগ ভাষাৰ স্কুল পাতি দিছে। তদুপৰি ছাত্ৰসকলক ছবকাৰী খৰছত, যাছঘৰ, প্ৰসিদ্ধ ঐতিহাসিক ঠাই, বিখ্যাত চিত্ৰশালা আৰু কেতিয়াবা ভিন্ন দেশলৈ লৈ গৈও শিক্ষা দিয়া হয়।

দেশৰ পৰা যুগযুগান্তৰ ধৰি জমা হোৱা এই অজ্ঞানতাৰ



গাৰ্ত্তলীয়া কণীয়াবাসীয়ে তাৰ শাসনকৰ্ত্তাৰ বিৰুদ্ধে বলচেভিক পতাকাৰ তলত আহি থিয় হৈছে।

অন্ধকাৰ দূৰ কৰিবলৈ হলে অকল বিদ্যালয়ৰ সহায় ললে সেই কাম সোনকালে হৈ উঠা টান। এই কথা বুজি পাই ছোভিয়েট গৱৰ্ণমেণ্টে স্কুল স্থাপনৰ বাহিৰেও, শিক্ষা বিস্তাৰৰ অৰ্থে আৰু নানান ৰকমৰ উপায় অবলম্বন কৰিছে



কমিউনিষ্ট সকলৰ 'কমৰেড্' এগৰাকী

আৰু তাৰে প্ৰধান উপায়টো হৈছে নগৰত বহুৱা সমিতিৰ সহায়ত আৰু গাঁওত পঞ্চায়তৰ সহায়ত ক্লাবঘৰৰ স্থাপন। প্ৰত্যেক ক্লাবঘৰতে এটি পুথিভৰাল, এটি পঢ়িবৰ খোটালী, এটি সভাসমিতি কৰিবৰ খোটালী, এটি ছাত্ৰ পঢ়াবৰ খোটালী আৰু ছায়াচিত্ৰৰ যন্ত্ৰপাতি আদি থাকে আৰু এইবিলাকৰ সহায়ত আখৰ পৰিচয় পৰা ৰাজনীতিৰ আলোচনালৈকে নানা প্ৰকাৰৰ শিক্ষা দিয়া হয়। ইয়াৰ বাহিৰেও বয়সিয়াল নিবক্ষৰ লোকসকলৰ শিক্ষাৰ নিমিত্তে নৈশ-বিদ্যালয় আৰু টেক্‌নিকেল বিদ্যালয় স্থাপিত হৈছে। শিক্ষা বিস্তাৰৰ আৰু দুটি সহজ উপায় হৈছে সস্তা দামৰ কিতাপ আৰু বাতৰি কাকত আৰু ছায়াচিত্ৰ। প্ৰত্যেক বছৰে ছোভিয়েট য়ুনিয়ন প্ৰেছৰ পৰা হাজাৰে হাজাৰে বিজ্ঞান, সাহিত্য, কাব্য, নাটক, উপন্যাস আদি নানা বিষয়ৰ কিতাপ নামমাত্ৰ দাম লৈ অল্প-শিক্ষিত লোক সকলৰ ওচৰত বিক্ৰী কৰা হয়। এই উপায়ৰ দ্বাৰাই

সিহঁতক পঢ়িবলৈ অভ্যস্ত হবৰ সুযোগ দিয়া হয়। ছোভিয়েট গৱৰ্ণমেণ্টে ১৯২৩ চনত প্ৰায় ১৯ হাজাৰ, ১৯২৪ চনত ২৯ হাজাৰ আৰু ১৯২৫ চনত ৪০ হাজাৰ কিতাপ ছবকাৰী ছপাখানাত এই উদ্দেশ্যে ছপাই বিক্ৰী কৰে।



নভ নদীৰ ওপৰৰ প্ৰসিদ্ধ নিকলাচ দলং আৰু পেট্ৰোগ্ৰাৰ্ডৰ সাধাৰণ দৃশ্য।

বাতৰি কাকতবোৰেও শিক্ষাবিস্তাৰৰ বিষয়ত কম সহায় কৰা নাই। প্ৰত্যেক বাতৰি কাকতৰে সংবাদদাতাবোৰ বহুৱা শ্ৰেণীৰ মানুহ আৰু সেইবাবে প্ৰত্যেক কাকত স্থানীয় সংবাদেৰে প্ৰায় পূৰ্ণ থাকে আৰু এই কাৰণে অলপ লিখিব পঢ়িব জনা মানুহেও খুব আগ্ৰহৰ সহিত এই কাকতবোৰ পুৱা-গধূলি নিয়মিতভাৱে পঢ়ে। কিন্তু সেই বুলি কছিয়াৰ বাতৰি কাকতবোৰ কোনো দেশৰ শ্ৰেষ্ঠ সংবাদপত্ৰতকৈ নিকৃষ্ট নহয়; প্ৰায় সকলো বিষয়তে য়ুবোপ আৰু আমেৰিকাৰ ডাঙৰ বাতৰি-কাকতবোৰৰ লগত জোৰ মাৰিব পৰা আৰু সিবিলাকৰ গ্ৰাহকৰ সংখ্যাও আন দেশৰ কাকতৰ গ্ৰাহকৰ সংখ্যাতকৈ কম নহয়। মস্কোৰ 'প্ৰভদা' নামৰ বাতৰি কাকতখনৰ গ্ৰাহকৰ সংখ্যা পাঁচ লাখ আৰু 'লিজেণ্ট গেজেট' নামৰ মাহেকীয়া কাকতখনৰ গ্ৰাহকৰ সংখ্যা এক কোটিৰো বেছি। শিক্ষাবিস্তাৰৰ অৰ্থে ছোভিয়েট গৱৰ্ণমেণ্টে আৰু একৰকমৰ বাতৰি কাকতৰ প্ৰচলন কৰিছে; আৰু এইবিধ কাকতক Wallnews paer—'ৰেৱৰ বাতৰি কাকত' বোলে। প্ৰায় তিনি গজমান দীঘল আৰু এগজমান বহল কাকত এডোখৰত নানা বিষয়ৰ প্ৰবন্ধ, কবিতা, গল্প আৰু ছবি আদি টাইপ কৰি স্থানীয় ক্লাবঘৰ বা পাঠাগাৰৰ বেৰত আঁৰি দিয়া হয়। আৰু সেই গাওঁ বা নগৰৰ প্ৰায় সকলো মানুহেই তাক পঢ়ে। এই কাকতৰ লিখক আৰু পাঠকসকল গৱম্পৰৰ পৰিচিত আৰু সেই কাৰণে সিবিলাকৰ মাজত লিখিবৰ, পঢ়িবৰ আৰু আলোচনাৰি কৰিবৰ এটি প্ৰবল আগ্ৰহে দেখা দিয়ে আৰু তাৰ ফলস্বৰূপে শিক্ষাৰ প্ৰতি ধাউতিও বাঢ়ে। এইবিধৰ বিতৰি কাকতক অল্পশিক্ষিত লোকৰ মাজত শিক্ষাপ্ৰচাৰৰ পক্ষে বৰ উপযোগী দেন দেখা গৈছে আৰু এই প্ৰথা উদ্ভাবন কৰাৰ নিমিত্তে ছোভিয়েট গৱৰ্ণমেণ্টৰ সকলো দেশেই শলাগ লোৱা উচিত। জনসাধাৰণৰ মাজত শিক্ষা-প্ৰচাৰ কামত ছায়াচিত্ৰবিলাকে যিমান সহায় কৰিছে তাক দেখিলে বিস্ময় মানিব লাগে। ইবিলাকৰ সহায়ত কেৱল শিখা-পঢ়া শিকাহেই ছোভিয়েট গৱৰ্ণমেণ্ট বহি থকা নাই, ৰাজনৈতিক, সামাজিক আৰু ধৰ্ম্ম সম্বন্ধীয় প্ৰায় সকলো সমস্যাকে ছায়াচিত্ৰবোৰৰ দ্বাৰাই জনসাধাৰণক ভালকৈ বুজাই দিছে। দেশবিদেশৰ নানা ঘৰৰ, প্ৰাকৃতিক দৃশ্য, বৈজ্ঞানিক আবিষ্কাৰ, ইঞ্জিনিয়াৰৰ কৌশল আদিকো ছায়াচিত্ৰৰ সহায়ত দেখুওৱা হৈছে। গতিকে কছিয়াৰ ছায়াচিত্ৰবোৰে জনসাধাৰণক জ্ঞান আৰু আনন্দ দুয়োকে দিছে।

ছোভিয়েট গৱৰ্ণমেণ্টে উচ্চশিক্ষাৰ প্ৰতিও অবহেলা দেখুওৱা নাই। গৱৰ্ণমেণ্টে বিজ্ঞান, সাহিত্য, দৰ্শন, ইতিহাস, ইঞ্জিনীয়াৰিং, ডাক্তৰী, কৃষি, মাইনিং আদি সকলো বিষয়ে উচ্চ শিক্ষাৰ সুবন্দবস্ত কৰিছে আৰু মেধাবী ছাত্ৰসকলক সকলো বিষয়ৰ উচ্চ শিক্ষাত গৱৰ্ণমেণ্টে সহায় কৰে। তদুপৰি মৌলিক গবেষণাৰ নিমিত্তে বিশেষ বন্দবস্ত আছে আৰু এই বিষয়ত গৱৰ্ণমেণ্টে সদায় উৎসাহ দিয়ে আৰু খৰছ কৰিবলৈ কাৰ্পণ্য নকৰে।

বেলত এবেলা

গল্প—

—শ্রীযুত নকুল চন্দ্র ভূঞা

জাৰকালি নিচেই কোকনোকৰ বেলত দ্বিতীয় শ্রেণীৰ টিকট এটা লৈ উঠিলোঁ ডিব্রুকলৈ যাওঁ বুলি। বেলত উঠি দেখোঁ এখন বেঞ্চত দুজন ভদ্রলোক বহি আছে। সৰু সৰু লাহি হাত ভৰিবে, বৰ পেটে লৈ গাক এটাত আঁউজি এজন বহিছে; আনজনৰ বৰপেট নহলেও শকতে-আবতে প্রায় ইজনৰ চেহেৰাৰে। দুয়ো মুখামুখিকৈ বহি কথাবে চৌ-চোৱাই আছে। সিজন বেঞ্চত তেওঁবিলাকৰে কিছুমান টালি-টুপলি তুলি থোৱা আছে। মোক দুৱাৰখন খুলি উঠা দেখি বৰপেটুৱা জনে হাত জোকাবি জোকাবি বঙালীলৈ কৰলৈ ধৰিলে "এইখন দেৱাগাড়ী (ইণ্টাৰ) নহয়, নহয়!" বোধকৰোঁ মৰত পাগ মাৰি, গাত এৰি কাপোৰ এখন ঘুম মাৰি লোৱা দেখি তেওঁ মোক দ্বিতীয় শ্রেণীৰ লাহুকৰ নহয় বুলি ধৰিছিল। সি যি নহ'ক, "মই গাড়ী চিনি পাওঁ" বুলি মাল তুলি থোৱা বেঞ্চখনৰ পৰা টোপোলা দুটামান তললৈ নমাই বহি পৰিলোঁ। টোপোলা কেইটা নমোৱাত দুয়োজনেই মোক কেবাহিকৈ এবাৰ মুৰৰ পৰা ভৰিলৈকে চালে। তেওঁবিলাকলৈ বৰকৈ কেৱেপ নকৰা যেন দেখি, এজনে দেখোন উঠি, বেঞ্চত থকা আটাইবিলাক মালকে মাল থোৱা ওপৰৰ বেঞ্চত তুলি থলে। তেওঁবিলাক দুয়োজনে কথা বঙালীবে পাতিছে। পেটুৱাজনে শুদ্ধ বঙালী কথা কৈছে। ইজনে বাৰেভছ অসমীয়া হিনী বঙালীৰ খিচুৰী কৰি বঙালী কৈছে। তেওঁবিলাকৰ কথাত বুজিব পাৰিলোঁ পেটুৱাজন বেলকোম্পানীৰ ষ্টিপৰৰ বঙালী ঠিকাদাৰ। অসমীয়া বঙালী কোৱাজন তিনচুকীয়াত থকা ইঞ্জিনীয়েৰ চাহাবৰ কেৰাণী। দুয়োৰো টিকা-টিপ্পনি দিয়া আটাই বিলাক কথাৰ সাৰমৰ্ম্ম হৈছে—ইঞ্জিনীয়াৰ চাহাবজন কেনে? কি কি কথাত চকু দিয়ে আৰু কি কি কথাত আওকাণ কৰে, ইত্যাদি।

* * * *

বেলগাড়ীয়ে ইটোৰ পিছত সিটো ষ্টেছন এৰি বিধা-শৰদে লৰিবলৈ ধৰিলে। আমিও লগে লগে লৰিছোঁ, অৱশ্যে বেলৰ ওপৰত।

চাৰিটামান ষ্টেছন যোৱাৰ পিছত, পেটুৱাজনে দেখোন এবাৰ মোক বঙালী কথাবে সুধিলে, "আপুনি কলৈ যাব?" মই অসমীয়াবে উত্তৰ দিলোঁ, "ডিব্রুগড়লৈ।" তেওঁ এইবাৰ মোক অসমীয়াবে সুধিলে মই কাৰবাৰ কৰোঁ নে চাকৰি কৰোঁ। মই উত্তৰ দিলো, এটাও নকৰোঁ। আৰু লগতে সুধিলোঁ—"আপুনি অসমীয়া কথা কব পাবে?" তেওঁ মিচিক্-কৰে হাঁহি উত্তৰ দিলে,—"অসমৰ চাউল খাই বুঢ়া হলোঁহি, অসমীয়া কব নোৱাৰিম কিয়?" তেতিয়া মই সিজনক উদ্দেশ্য কৰি সুধিলো, তেখেতো বঙালী ভদ্রলোক নে কি? তেওঁ হো-হোকৈ হাঁহি এটা মাৰি কলে, "বঙালী হব কিয়? আপোনালোকৰে অসমীয়া, যোৰহাটত ঘৰ। খুব ববলোকৰ ঘৰৰ। তেৱোঁ ৰব শিক্ষিত, কলেজৰ পৰা পাছ কৰি অহা দুই তিনি বছৰ হে হৈছে." এনেতে সেই অসমীয়াজনে মোৰ ফালে মুখখন বেঁকা কৰি সুধিলে—"তোমাৰ ঘৰ কোন গাৱঁত হে? তুমি কোনোবা গোসাঁই নে কি হে, ইমান পইছা খৰছ কৰি ওপৰ শ্রেণীত উঠিলা? ইণ্টাৰ ক্লাছতো যাব পাৰিলা হেতেন, তাত তো কোনো নেয়া মানুহ নেযায়!"

তেওঁৰ প্রশ্নত মোৰ হাঁহি উঠি আহিছিল, হাঁহিটো টিপা মাৰি উত্তৰ দিলোঁ—"মোৰ ঘৰ সেই মালৌৰ আলিৰ ফালে। মই গোসাঁই নহওঁ। সুখেৰে যাওঁ বুলি হে ওপৰ শ্রেণীত উঠিছোঁ।"

তেওঁবিলাকে আকৌ মোৰ ফালে পিঠি দি কথাত লাগিল।

* * * *

এইবাৰ কথা ওলাল, অসমীয়াই কি খায়, বঙালীয়ে কি খায়। অসমীয়া ভাল মানুহবোৰ বঙাল দেশৰ পৰা অহা নে নগা পৰ্ব্বতৰ পৰা নামি অহা। দুয়োবো ভিতৰত এবকা কথা হোৱাৰ পিছত খিবাং হ'ল, অসমৰ বৰ জাতবিলাক বঙালীবে পূর্ব্বৰ বংছ। আছল আদি অসমীয়াবিলাক সক জাতৰ। তেওঁ হেনো বঙালীবে পূর্ব্ব বংছৰ লগা বৰ জাতৰ লোক। সেই কাৰণে তেওঁ বঙালীৰ লগত বন্ধুত্ব কৰে, বঙালীৰ ঘৰত খায় আৰু বঙালী কিতাপ-কাকত খুব পঢ়ে। এনেতে, পেটুৱা বঙালীজনে বঙালীবে সুধিলে "তেনেহলে আমাৰ নিচিনা ভাল ভাল কিতাপ আৰু ভাল ভাল লিখক অসমীয়াৰ নাই নে কি? তেন্তে বৰ বৰ ঘৰৰ অসমীয়া বিলাকে বঙালী নপঢ়ে কিয়? আমাৰ তিনচুকীয়াত সেইটো কি অসমীয়া সাহিত্য সভা আছে?"

তেওঁ হাঁহি হাঁহি উত্তৰ দিলে—"সেই খুলীয়া লৰা বিলাকে পতা সেইখন সভা। মোক "কলেজ-ফিৰৎ" বুলি তাৰ সভাপতি পাতি থৈছে। কেতিয়াবা সিইঁতৰ পৰা কোনো কোনো কাম পোৱা যায়। সেই কাৰণে ময়ো সভাপতিটো হৈ আছোঁ। নহ'লে কি আৱশ্যক!"

পেটুৱাজনে ক'লে—"হয়; আমাক বঙালীক দেখি ইইতন গা উঠিছে। আমি এই দেশলৈ নহা হ'লে, অসমীয়া বিলাক আজিও 'পাহাড়ী' হৈয়ে থাকিল হেতেন। তেন্তে, আপোনালোকৰ বৰ বৰ ঘৰৰ অসমীয়া বিলাকে আমাৰ বঙালীক অসমত চাকৰি কৰা দেখিব নোৱাৰে কেলেই? ওৱালপাৰা আৰু কাছাৰ জিলাক আমাৰ বঙ্গ দেশত জাপিবলৈ নিদিয়ে কিয়? পৰ্ব্বতীয়া গোসাঁই তো বঙালী। আপুনি কৈছে, সকলো বৰ বৰ বামুণ আৰু বৰ বৰ ডাঙৰ লোক পৰ্ব্বতীয়া গোসাঁইৰ শিচবিলাক বঙালী নহব নে কি? মশায়! এইবিলাক কথা ভাবিলে বৰ অদ্ভুত যেন লাগে।"

তেওঁ উত্তৰ দিলে—"অদ্ভুত লাগিব তো! অদ্ভুত দেশত থাকি আমিও অদ্ভুত হৈছোঁ। আপুনি কলিকতাৰ কৃষ্ণকুমাৰ মিত্ৰ আৰু পি, ছি, ৰায়ক চিনি পায় নে? তেওঁবিলাকলৈ চিঠি লিখি জনাবচোন—গ'লে আমি গোটেই অসমেই বঙ্গদেশলৈ যাম। দুখন জিলা কাছাৰ আৰু গোৱালপাৰাক আমি অকলৈ যাবলৈ নিদিওঁ। আমাৰ বৰ বৰ লোক সকলোৱেই বঙালীৰ লগত সহানুভূতি অছে। বঙালী আৰু আমি একেই। বঙালীক আমি খিণ কৰিম কিয়?"

পেটুৱাজনে কলে—"নিশ্চয়, নিশ্চয়! মোৰ এজন আত্মীয় কলিকতাৰ কলেজষ্টীটত থাকে। তেওঁলৈ লিখিম। তেওঁ নিশ্চয় অন্ততঃ কৃষ্ণকুমাৰ বাবুক কব পাৰিব—অসমীয়া বৰলোকসকল বঙ্গদেশলৈ যাবলৈ সাজু হৈ আছে। আৰু চাওকচোন, আমাৰ কেশৰ সেনৰ ছোৱালী ননা হ'লে, কোচবিহাৰৰ বজা দেশে-বিদেশে ইমান বিখ্যাত হব পাৰিলেহেঁতেন নে? কিজানি নগা-মিৰিৰ দৰে থাকিব লাগিল হেঁতেন! আৰু ইপিনে মণিপুৰত আমাৰ বঙালীবিলাক আছেগৈ কাৰণেহে মণিপুৰীয়াই ক্ষত্রিয় আখ্যা পাইছে। মুঠতে, আজি এনে স্বৰাজৰ দিনত আমাৰ লগ নললে আপোনালোক অসমীয়াবিলাক 'পাহাড়ী' হৈয়ে থাকিব লাগিব। আপোনাৰ শিক্ষা দন্ত! তাতে আপুনি বৰ বংশৰ মানুহ; সেই কাৰণেহে বঙ্গদেশলৈ যাবলৈ আপোনাৰ আপত্তি নাই। এই অশিক্ষিত অসমীয়া বিলাকক আপোনাৰ মত 'লেক্‌চাৰ' দি বুজাই নিদিয়ে কিয়?"

—"ঠক কৈছে। সময় হৈছে। আহোম, কোচ, কচাৰী আদি সক-সক জাতিৰ মানুহ চেঞ্চচ পাতত কেইটা হ'ব? তাতে, কোচ-কচাৰী বহতো এতিয়া বঙ্গদেশৰ বংপুৰ-ৰাজসাহি আদি জিলাত আছেই। বাকী আমি কলিতা-কায়স্থ অসমীয়া কেইটা, আঁতি-গুৰি বিচাৰি গলে, বঙালী কায়স্থৰ সগোত্রেই হ'ম। ব্রাহ্মণ সকলৰ সৰহ ভাগেই বঙালী পৰ্ব্বতীয়া গোসাঁইত দীক্ষা লৈ আগৰে পৰা বঙালী

হৈ আছেই। লগতে ঘৰদিয়েক গোহাঁই-গাভৰুও বঙালী গোসাঁইৰ শিষ্য হৈ থকা পামেই। তাৰ উপৰি মানুহৰ সংখ্যাত যি কেইলাখ মৈমনসিঙীয়া আৰু চাহ-বাগানৰ কুলী অসমত বসতি কৰিছে, সিহঁতে তো বঙ্গদেশৰ লগত জোৰা খুৱালে আনন্দহে পাব! আমাৰ দেশত মুছলমানে একো মাতিবই নোৱাৰে। ইংৰাজৰ আগেয়ে, এই দেশ আছিল কোঁচ, কচাৰী, বাৰভূঞা, চুতীয়া আৰু আহোমৰ। কিবা দাবী কৰিবলৈ হ'লে আমাৰ হে দাবী। আৰু মোৰ বিশ্বাস মুছলমান সকলৰ আপত্তি নহব, তেওঁবিলাকে আকৌ নিজৰ নবাবৰ দেশ পাবগৈ। এনেস্থলত, বঙ্গদেশৰ বৰমূৰীয়া সকলে চেষ্টা কৰিলে, অসম গোটেইখনকে বঙ্গদেশলৈ নি লব পাৰে।"

—"হয়, হয়; সঁচা কথা। অসমীয়া ভাষাটোও বঙালী ভাষাৰে এটা ঠাল। কেৱল, অসমীয়াৰ মুখত বৰ্ণমালাৰ উচ্চাৰণ বিকৃত হয়। আকৌ অসমদেশ যদি বঙাল দেশলৈ যায়, তেতিয়া আকৌ অসমীয়াই শুদ্ধ বঙালী ভাষা কব পাৰিব। আপোনালোক শিক্ষিতসকলে যে এইবিলাক কথা ভাবিছে, এইটো বাস্তৱিকতে জাতিৰ মঙ্গলৰ চিন। সঁচাকৈ, আমি বঙালীবিলাকে চাকৰি-কাৰবাৰ আদি লৈ, অসমৰ চুকে-কোণে সোমাই সদাই অসমীয়া আন কি গাৱঁলীয়া নিৰক্ষৰ এজনৰ লগতো বঙালী কথা পাতি বঙালী কবলৈ শিকাই লোৱাৰ অলপ ফল ধৰিছে। নহলে নো অসমীয়া শিকি অসমীয়া কবলৈ কেতেপৰ? পিছে আমি কেতিয়াও অসমীয়া নকওঁ।"

—"সেই বাবেহে ময়ো হোৱাই-নোহোৱাই বঙালী কওঁ। আমাৰ লৰাবিলাকৰ কথা এৰিয়ে দিছোঁ; আমাৰ দেশৰ নেতা ৰায় চাহাবেও, কলিকতালৈ গ'লে, কলিকতীয়া ডাঙৰ মানুহৰ লগত বঙালী কথা কৈ, নিজক উচ্চবংশৰ বুলি পৰিচয় দিবলৈ, তেওঁৰ খাজনা আদি তোলা পিয়াদা-মহৰী-চাপ্‌ৰাচী আটাইবিলাক বঙালীহে লৈছে, অসমীয়া লোৱা নাই নহয়! সিহঁতৰ লগত সদাই বঙালী কথা পাতি এতিয়া ৰায়চাহাবে শুদ্ধ বঙালী কথা কব পাৰে। আৰু বঙালীয়ে-আমিয়ে একে নোহোৱা হ'লে, বঙালীক লগ পালেই, বঙালী কবলৈ আমাৰ এনে ধাউতি নহ'লহেঁতেন, কি কয়?"

—"হয়।" বুলি ওপৰত গল্‌গলীয়া মাতেৰে উত্তৰ দি, হঠাৎ মাল থোৱা ওপৰৰ সিখন বেঞ্চৰ পৰা বৰ শকত-আৱত ৰণুৱা চিপাহীৰ পোছাক পিন্ধা মানুহ এজন, জাঁপ মাৰি তললৈ নামি বঙালী হ'ব খোজা অসমীয়া ডেকাজনৰ কাণখনত ধৰি জোকাৰিবলৈ ধৰিলে—"তোমাৰ পিতাৰা বঙাল দেশৰ বঙালী আছিল নে কি? আমাৰ কৰতোৱাৰ কলিতা, কাছাৰৰ কচাৰী, কোচবিহাৰৰ কোঁচ, সৌমাৰৰ আহোম, সদিয়াৰ চুতীয়া মানুহৰ মুগাচুৰিয়া পিন্ধি গুণা খনীয়া লোৱা পিতাই হে আমাৰ পিতা, ৰিহা-মেখলা পিন্ধি সূতা কাটি তাঁত বোৱা আই হে আমাৰ আই। আমাৰ কিবা আই নাই নে বোপাই নাই, লোকৰ দেশলৈ আমি বোপাই বিচাৰি যাম? তোমাৰ পিতাৰা যদি বঙাল, এই 'মশায়'ৰ লগতে তুমি যোৱাগৈ। (বঙালীজনলৈ) মশায়, আমাৰ দেশত তোমাৰ হাৰ-ছালৰ মাজত লৈ অহা দেহাটিক মাগুৰ মাছ, জহা-চাউল খুৱাই বৰ পেট কৰিবলৈ হ'লে, এইদৰে আমাৰ দেশত হুদু মাত নেমাতিবা। ইয়াৰ ফল ৺ এইটিহে (হাতেৰে আকৃতি দেখুৱায়)। এতিয়া কথা বন্ধ হ'ল কিয়?"

এনেতে ৰেলগাড়ী তিনচুকীয়া ষ্টেশ্যনত ৰ'লহি। সেই বাক্যবীৰ দুজন ৰেলখন বোৱা মাত্ৰেই ততালিকে নামি মানুহৰ মাজত অদৃশ্য হৈ পৰিল।

ৰণুৱা চিপাহীজনো তেওঁৰ "লগেজ" লৈ নামিল, ডিবুৰুৰ ৰেলত উঠিবলৈ। যাব খোজোঁতে চিপাহীজনৰ "চুট্‌কেছ"টোৰ ওপৰত চকু পৰিল। দেখিলোঁ তেওঁৰ নামটো—"চুবাদাৰ জং বাহাদুৰ ঝাৰুৱা, সদিয়া।"

বৰবৰুৱাৰ ভাবৰ বুৰ্বুৰণি

—শ্ৰীযুত কৃপাবৰ বৰবৰুৱা

গধূলি মই মোৰ ঘৰতে বহি, বহি, আৰু বহি ভাগৰি আছোঁ, এনেতে এজন আহি মোৰ কাষতে বহিল। তেওঁক দেখি মই বিৰক্ত হৈ চকু মুদিলোঁ। বিৰক্ত হবৰ কথাই; কাৰণ একেই মই বহা কাৰ্য্য কৰি কৰি ভাগৰি লালকাল হৈ আছোঁ, তাৰ ওপৰত বহাৰ বোজ দিবলৈ এইজন কোন ওলালহি! অৱশ্যে মানুহজনক মই চিনি পাওঁ; তথাপি মোৰ খং উঠি তেওঁক অচিনাকীৰ শাৰীত পেলাই দি চকু মুদিলোঁ। তেওঁ মাত লগালে—"ডাঙৰীয়া কি কৰিছে?"

মই। বহি ভাগৰি আছোঁ। তুমি কোন কোৱাঁ?

তেওঁ। ডাঙৰীয়াই জানো মোক চিনি নাপায়?

মই। সেইটোৰ সমিধান পিছত দিম। সম্প্ৰতি মই ধ্যানত আছো, মোৰ চকু মেলিবৰ আহৰি নাই। বোলোঁ তোমাৰ নামটো কি, শীঘ্ৰে কোৱাঁ। নতুবা মোৰ ধ্যান ভাগি চকু মেল খাব লাগিলে, তাৰ জুইত তুমি জাহ গৈ মৰিবা।

তেওঁ। জয়ধ্বজ।

মই। ৰবা। জয়ধ্বজ। জয়—ধ্বজ—ধ্বজ। সিং ইং—হ। পালোঁ এতিয়া। তুমি জয়ধ্বজসিংহ স্বৰ্গদেৱ। ত্বংহি বুঢ়া ভগনীয়া ৰজা! ত্বংহি নামৰূপত পলৰীয়া ৰজা। তোমাকেই অসম বুৰঞ্জীৰ পাতৰ "মন্দিৰে মন্দিৰে" পোৱা যায়! বেছ কথা। কিন্তু তোমাক এটা কথা সোধোঁ—তুমি যদি ৰজা হৈ পলাই ভাগিকে গৈছিলা, তেন্তে তোমাৰ নামত সিংহস্য লাঙ্গুলং কিম্? আচলতে তোমাৰ নাম হোৱা উচিত আছিল,—মহামহিম মহিমাৰ্ণৱ শ্ৰীশ্ৰী (আৰু চাৰি বাৰ) পলায়ধ্বজ ৰজা। অৱশ্যে তুমি আজি ৰাজপাটত নাই, সেইদেখি নিৰ্ভয়ে এইষাৰ কথা কলোঁ; থকাহেঁতেন নকলোঁহেঁতেন। কাৰণ তোমাৰ মুখৰ একাষাৰ কথাতে মোৰ চকু, আঠুৰঘিলাই মোক এৰি কৰবালৈ গলহেঁতেন। মুঠতে মোৰ সোপাই "সোপায়ং নমঃ" হলহেঁতেন।

জয়ধ্বজ। বৰবৰুৱা ডাঙ্গৰীয়াই এইবোৰ কি কৈছে! মই ক'ৰ জয়ধ্বজসিংহ ৰজা। মই দেখোন আপোনাৰ উপাসক বামুণৰ লৰা শ্ৰীজয়ধ্বজ দেৱ শৰ্ম্মণঃ। আপুনি মোক এইবোৰ পেংলাই কৰিছে নে কি? মই নো আপোনাৰ কি জগৰ লগালোঁ ডাঙ্গৰীয়া!

মই। অ তুমি আমাৰ শ্ৰীমান জয়ধ্বজ দেৱ শৰ্ম্মা তৌজিনবিচ! বেছ বেছ! মোৰ সমাধি অৱস্থাতহে সেইবোৰ কৈছিলোঁ। এতিয়া সমাধিক সমাধি দিলোঁ। মোৰ চৰ্ম্মচক্ষু উন্মিলীত হল, শ্ৰীমান জয়ধ্বজ শৰ্ম্মা বাপু দেউক সমুখতে সাক্ষাত দেখিলোঁ। যাওক। তুমি বেয়া নাপাবা। বোলোঁ, আহিলা নো কি সকামত?

জয়। একো সকাম নাই; মাথোন ডাঙৰীয়াৰে সৈতে "মুলাকাৎ"। এটা কথা ডাঙ্গৰীয়াক সুধিব খুজিছোঁ; অনুমতি পালে সুধিব পাৰোঁ।

মই। সোধাঁ সোধাঁ, নিৰ্ভয়ে সোধাঁ।

জয়। ডাঙৰীয়াই আজিকালি ইমানবোৰ ভাবৰ বুবুৰণি তুলি আছে; গল্পকে দুটাচাইটা নেলেখে কিয়? আমাৰ মাহেকীয়া কাকতবোৰত গল্প লেখি ছপালে বৰ কাম হয়।

মই। অৰ্থাৎ তুমি কৈছা, গল্পৰ আম্‌ৰলি পৰুৱা কিছুমান ধৰি তোমাৰ মাহেকীয়া কাকতবোৰত মই মেলি দিয়া নাই কিয়, তাৰে কাৰণ তুমি মোক সুধিছা? বাৰু কোৱাঁচোন মহাপ্ৰলয় হবলৈ আৰু কিমান দিন আছে?

তেওঁ। কিয়? এইটো নো আকৌ কি কথা? আকৌ ডাঙৰীয়াই মোক পেংলাই কৰিছেনে কি?

মই। নাই কৰা। বোলোঁ, সেই সময়লৈ নথৈ এতিয়াই মোৰ গল্পৰ বিহ-পৰুৱা, আম্‌ৰলি পৰুৱা, টোকা পৰুৱা, কলাপৰুৱা আৰু গুড়িপৰুৱাবোৰ কাকতৰ পাতত বগাই ফুৰিবলৈ মেলি দি সৃষ্টিনাশ কৰিবলৈ যোৱাটো ভাল হব নে, তাকেহে তোমাক সুধিবলৈ গৈছিলোঁ। তুমি উত্তৰটো ভাবি-চিন্তি দিবা দেই। তোমাক ভাঙি

কণ্ঠ, কিয় মই গল্প নেলেখি আজিকালি মাথোন ভাবৰ বুৰুবণি তুলি থাকোঁ।

তেওঁ। কওক ডাঙৰীয়া কওক।

মই। ১৮৮৮ খৃষ্টাব্দৰ বিজয়াদশমীৰ দিনাৰ কথা। গোসাঁনীৰ প্ৰতিমা উটাই দি আহি, ধাৰ্ম্মিক, অধাৰ্ম্মিক, নৈষ্ঠিক, অনৈষ্ঠিকসকলে গোট খাই ঘোটা ভাং খালে। ফলত সকলোবে মুখত উংকট হাঁহি-চাহি একো নাই। প্ৰতিমা বিসৰ্জ্জন দি বেজাৰত মোৰ মনত কান্দোন হে ওলাইছিল। তেতিয়া মোৰ মানত ভাং সাত সুবাব এক সুবা। সিহে নাগাংগে তাব সক ভায়েক ধপাতেও মোৰ ঘৰত ঢাবি-কঠ নাপাইছিল। সেইদেখি সমনীয়াইতে মোক একেবাবেই নিসিজা ওলক্চু বুহিছে উপলুঙাকৈ মাতিছিল। তেওঁলোকৰ অভিমত আছিল, মোৰ ওচবলৈ যেয়ে আছে তাবে হেনো মই গল খজুৰাওঁ। যি হওক, ঘোটা খোৱাসকলে যেতিয়া মোৰ ওচবত হাঁহিব বোল তুলিলে, মই গৈ মোৰ লেখাপঢ়া কবা ঘবৰ খোটালিটোত সোমাই দুৱাৰত ডাং দিলোঁ। কিন্তু খোটালিটোত সোমালো হয়, তাত কবো কি ভাবিবলৈ ধবিলোঁ। এবাৰ ভাবিলোঁ, মুবে-পাৰে কাপোৰ লৈ ঘুমাবি শুই থাকোঁ। কিন্তু টোপনি নাহিল। উঠি বহিলোঁ। ভাবিলোঁ, গল্পকে এটা লেখোঁ। হাতত কাপ লৈ গল্প এটা তবিলোঁ। গল্পটোৰ নাম কি দিছিলোঁ, পাহবিলোঁ। কিন্তু বিষয়টো আছিল,—মতা দেখিবলৈ শুবনি নে তিকতা দেখিবলৈ শুবনী। গল্পৰ গড়েবে এই প্ৰশ্নৰ মীমাংসা এটাত নানা বহুত সানি যুক্তি-তৰ্কৰ মছলা দি তাক থিয় কবিলোঁ। শেষ সিদ্ধান্ত হল—তিকতাতকৈ মতা দেখিবলৈ শুবনি। মতাব পক্ষ সমর্থনত মবাচবাই, ভটবা গৰু, গলধন ধবা মতামহৰ উদাহবণবে পবা শোক-পকৰালৈকে উদাহবণ দিয়াত ত্ৰুটী কবা নাছিলোঁ। মোৰ এতিয়াও মনত আছে, ফুলস্কেপ কাকতৰ ঘোল পিঠি সেই প্ৰকাণ্ড গল্পটোৱে জুবিছিল। দিলোঁ মাহেকীয়া কাকত এখনত সেই গল্পটো ছপাই। কাকতখনৰ নামটো পাহবিলোঁ দেই। তোমাৰ মন গলে, তাক জোনাকী পোহৰী যি হয় এটা বুলিব পাবা। গল্পটো ওলালত অসমত কোঢ়াল লাগিল। আগেয়ে মুখ নবজোৱা মানুহৰ মাতো সেই কোঢ়ালত শুনিবলৈ পোৱা গল। কম কৰ্ম্মিষ্ঠ কিন্তু বেছি বকাবকীয়ে তেওঁলোকৰ বাইডাং কেডালত তেল খিউ সানি চিকৃচিকীয়া কবি লৈ মোৰ মুবৰ ওপবত জোকাবিবলৈ ধবিলে। দুৰ্ব্বলীৰ ভিতবত কোনোৱে আঙুলিয়াই, কোনোৱে মুখ বিকটাই সিঁয়াবি, কোনোৱে দাঁত চেপাই, কোনোৱে আটমুট কবি, আৰু কোনোৱে দুবৈবপবা কণ্ডুতি মাবি মোৰ অকলশবীয়া অভিমন্যু গল্পটোক আক্ৰমণ কবিবলৈ ধবিলে। উস! তিকতাক সুন্দবী ভাবি নিজক অধইচ কবা তিকতাসেকবা মতাধনৰ মোৰ ওপবত ঘং চায় কোনে! আনফালে আৰু এদল থিয় হল যি মোৰ গল্পটো পঢ়ি খুচী হৈ মোৰ কথাৰ সৰ্ব্বতোভাৱে সমৰ্থন কবি হৈধ্বনি দি মোৰ ডিণ্ডিত মলা পিন্ধাবলৈ ওলাল। দুই দলৰ ভিতবত তৰ্কাতৰ্কিব তয়াময় যুদ্ধ চলিবলৈ ধবিলে। শেষত এনে হল যে ইদলে পালে সিদলৰ মুব ফালে, আৰু সিদলে পালে ইদলৰ মুব ফালে। মই ভাবিলোঁ, এই বিষ্ণুৰ বিশ্ৰান্ত বাবিধিব তবঙ্গবাজিৰ ওপবত তৈল প্ৰক্ষেপণেই শ্ৰেয়: কাৰ্য্য। নতুবা ক'ব পানী কলৈ যায় হৈ যুজাকদকলব কোনোবাজন কলীয়াপানী পাবগৈ। ইয়াকে ভাবি, মই সেই কাকতব পিছব সংখ্যা এটাত মোৰ গল্পটো withdraw অৰ্থাৎ সংবৰণ কবিলোঁ বুলি জাননী দিলোঁ। ভাবিলো, এতিয়া নিশ্চয় "শান্তি, শান্তি, শান্তি, হবি ওঁ" হব। কিন্তু আশাত নিবাশ হলোঁ। গল্পৰ জনকে জানিবা গল্পটো সম্বৰণ কবিলেই, তাব প্ৰভাবত উথলা উৰ্ম্মিত হেন্দোল-দোপ হোৱা তেওঁৰ ভাই-ভাৰ্যাসকলক সম্বৰণ কবে কোনে? আন্দোলন চলিল আৰু চলিল। শেষত দেখা গল যে মোৰ ভৈয়াই গল্প গল, কিন্তু তাব পুতাই তৰ্কটো বল। ঘবটোব ভেটিটো গল, কিন্তু ঘবটো কেনেবাকৈ আকাসতে থিয় হৈ বল। ধবা জানিবা, হিন্দুৰ চতুৰ্ব্বৰ্ণ গল, জাতিভেদ আৰু আচাব-অনাচাবখন বল। মুছলমানৰ তুৰ্কীৰ খিলাফৎ গল, ভাবতত তাব আন্দোলনটো বল। জানিবা তোমাৰ মুবটো গল, কিন্তু কতবাত কেনেবাকৈ তোমাৰ মুব

কামোৰাণিটো বল। শবীৰৰ পৰা প্ৰাণটো গল, কিন্তু ধনঞ্জয় বায়ুটোৱ বিপদিপনিটো বল।

"আকাঙ্ক্ষাৰ অধীৰতা, উদ্বেগ হিয়াৰ,
বাসনাৰ অতৃপ্ততা, আশাৰ নিকাৰ,
লাহে লাহে আঁতবিল, বল প্ৰতিধ্বনি।
সুৱাগ সমল গল, থাকিল বিননি।"

এইবাবেই মোৰ গল্প গল, কিন্তু হাতৰ পাঁচ ভাবৰ বুৰুবণি বল।

সেইদেখি জয়ধ্বজ, মাগিছোঁ মেলানি।
গল্প নাই ; লৈ মোৰা ভাব-বুৰুবণি।

পুৰণি কথা

—শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা, বাৰ-এট্-ল, (আৰ্ল ল-কলেজ)

দেউতাৰ ৰেমাৰৰ সময়ত ৮ ডাক্তৰ শিৱৰাম বৰা আৰু ৮ বলিনাৰায়ণ বৰা কলিকতাত ছুটী লৈ আছিল। তেওঁলোকে সেইখিনি সময়ত বিলাতৰ পৰা ছুটীত ফুৰি আহিছিল হবলা। তেওঁলোকেও থববাদি লবলৈ আহিছিল। "মিলনত" দেখিছো যে তাবে ভিতবৰ এজনে ৺বাধিকা ৰাম ঢেকিয়াল ফুকনৰ নাম কোৱাত দেউতাই আগ্ৰহেবে চকু মেলি চাইছিল তেওঁক মৰম কবিছিল। বাধিকা ৰাম ফুকনক তেওঁ বিলাতৰ থবচ দি আঠ বছৰ পঢ়াইছিল।

এইখিনিতে কওঁ যে বাধিকাৰাম ফুকন সঙ্গীতৰ "ডাক্তৰ" নাছিল। তেওঁ হাইডেনবার্গ বিশ্ববিদ্যালয়ৰ বসায়ন শাস্ত্ৰৰ হে "ডাক্তৰ" আছিল। তেওঁ সঙ্গীত চৰ্চ্চা কবিছিল দেখিছে অসমৰ বহুতৰ এনে বিশ্বাস।

নগাঁৱত থাকোতে কাছাবিলৈ মোৰাৰ সময়ত দহমান বজাত ভাত খাইছিল। ভাত খাই দুখন তামোল খাই বিছনাত আধাঘণ্টামান জিবাইছিল। তাব পিছতহে কাছাবিলৈ গৈছিল।

তেওঁ বাহিবলৈ ওলাওঁতে চাপকন, চোগা, পাইজামা পিন্ধিছিল। মুবত জাবকালি টুপী পিন্ধিছিল, কাবুলী খাজুৰ টুপী, নহলে কলা মখমলৰ টুপী। কেতিয়াবা পিবালি পাগুৰী মাবিছিল। বুট জোতা পিন্ধিছিল, চুমা কাঢ়ে "ইলেষ্টিক" থকা, ফিতা কি নুথাম দিয়া নহয়—কোমল চামবাৰ জোতা। বোধ কবোঁ সেইবোৰ জোতাক "মিলি-টেবি" জোতা বোলা হৈছিল। তেনে জোতা, বুট চণ্ডে, সোনকালে পিন্ধিব পৰা গৈছিল আৰু অনায়াসে সোলো-কোৱা গৈছিল। আজিকালি চুবো কাষে তেনে "ইলেষ্টিক" থকা বুট জোতা কি খু-জোতা বহুত দিন দেখা নাই গোৱা।

নগাঁৱত বাতিপুৱা গা ধুই আহি চাহ খাই ফুবি আহি তেওঁ কাছাবিব বাই লেখিছিল। তেওঁৰ জেলবো "চার্জ" আছিল। বাতিপুৱা ফুবিবলৈ যাওঁতে জেল "ইন্সপেক্শন" কবিছিল। বাতিপুৱা তিনি চাবিখন বাই লেখা দেখিছো। এইখিনি সময়ত মানুহো দেখা-সাক্ষাৎ কবিবলৈ আহিছিল। তেওঁলোকৰ সৈতেও কথা-বতবা পাতিছিল। আমাৰ ঘবখন সেইখিনি সময়ত কি সুন্দবে এটি ভাল ঘবীব দবে চলিছিল। মই মিখিনি সময়ৰ কথা কৈছো সেইখিনি সময়ত আমাৰ ঘবত বহুতো মানুহ আছিল। হাউলিব চাবিউফালে স্কুলীয়া ল'বা বহুতো আছিল। আমাৰ ঘবৰ ভিতবত ৬কাণী বাইদেউ আৰু ভাগিনী প্ৰিয়নাথ, আমিও তিনি ভাই-ককাই। স্বৰ্গলতা বাইদেউ কলিকতাব বেথুন স্কুলত পঢ়িছিল। বন্ধৰ সময়ত ঘবলৈ আহিছিল। নগাঁৱত মই জীৱনৰ প্ৰথম নবছবহে আছিলো। এই ন বছবৰ ভিতবতে কিছুদিন আইৰ লগত কলিকতাত আছিলো।

মনত আছে, দেউতা এবাৰ ভাটীৰ ফালে যোৱা। লগত সহযাত্ৰী আছিল জখলাবন্ধাৰ ৮বঘুদেৱ গোস্বামী, ৺উকীল ঘনশ্যাম বৰুৱা। আৰু আন মানুহো গৈছিল, এতিয়া মনত নাই। সেইবাৰ ফিবি অহাৰ পাছত বহুতো হাঁহি, বং-ধেমালিৰ কথা শুনিলোঁ। কোনে ক'ত কি কবিলে, কেনেকৈ বেলত উঠিল, কলিকতা পাই কি কবিলে ইত্যাদি এইবোৰ কথা আমি পেট ভবাই শুনিছিলোঁ।

আইৰ সৈতে এবাৰ ৬৫, মাণিকতলা ষ্ট্ৰীটত আছিলোঁ। সেই ঘৰ এতিয়াও আছে। ১৮৮৬ নহলে ১৮৮৭ খৃষ্টাব্দত। আই তাত এবছৰমান আছিল স্বৰ্ণ বাইদেৱৰ শিক্ষাৰ নিমিত্তে। তেওঁ বোৰ্ডিঙ্গতে আছিল। মাকৰ মন নহয়, ছোৱালীটীক লগত ৰাখিবলৈ ভাল পাইছিল। স্বৰ্ণ বাইদেৱে তেওঁৰ লগতে থাকি শিক্ষা কৰিব, সেইদেখি আই কলিকতাত আছিল গৈ। আমাৰ লগত গঙ্গাদাদা আছিল—এওঁ মোৰ নিজা মাহীৰ পুতেক। নগাৱঁত গৈ আমাৰ লগত আছিল। এওঁৰ বিয়া আয়েই দিয়ায়, পুৰণি গুদামৰ ৺শুকদেৱ শৰ্ম্মাৰ জীয়েকৰ লগত। তেতিয়া আমাৰ ঘৰত কিমান যে মানুহ আছিল, এতিয়া ভাবিলে আচৰিত হব লাগে। আই সুগৃহিণী আছিল। পাছত মই মাণিকতলাৰ ঘৰৰ পৰাই খোজ কাঢ়ি "জেনেৰেল এছেম্‌ব্লিলৈ গৈছিলোঁ। নগাৱঁৰ ৺ ৰত্নধৰ বৰুৱা ইত্যাদি সেই কলেজত পঢ়িছিল। তেওঁলোকেই মোৰ নাম লেখুৱাই দিয়ালে। মই Infant classঅত ভৰ্ত্তি হলোঁ। মিষ্টৰ স্মিথ সেইখিনি সময়ত প্ৰিন্সিপাল আছিল। তেওঁলোকে আমাৰ ক্লাছৰ ভিতৰেদিয়েই অহাযোৱা কৰিছিল। মিছেছ্ স্মিথেও অহা-যোৱা কৰিছিল। তেওঁ সৰু সৰু ল'ৰাবোৰৰ সৈতে কথা পাতিছিল আৰু মোক A. B. C. লেখিবলৈ শিকাইছিল।

আমাৰ নগাৱঁৰ ঘৰৰ পৰা এজনী কি দুজনী "আপী" গৈছিল। তেতিয়া যে কিমান "আপী" আছিল! আজি কালি এনে "আপী" নাই দেখোন।

পখিলা নে নাৰৈ কোনোবা এজনী আপীয়ে এবজাৰ সময়ত এগিলাচ গাখীৰ আৰু কিবাকিবি খোৱা বস্তু লৈ গৈছিল। পাছত লৰাইতে মোক হাঁহি ঠাট্টা কৰে, "এই যে বড়ুয়াৰ বৌ এলো"। মই ঘৰলৈ আহি আইক কান্দি কওঁ, "আই! আপীক আৰু নপঠিয়াবি।" এনে প্ৰথমতহে হৈছিল। পাছত আৰু সিহঁতে ঠাট্টা নকৰিছিল।

মোৰ তিনিমান বাজিলেই ঘৰলৈ যাবৰ মন গৈছিল। তেতিয়া বঙলা ভালকৈ নেজানিছিলোঁ। সেইদেখি ওচৰৰে এটি লৰাক সুধিলোঁ "ছুটী (অসমীয়া 'ছ' কৈছিলোঁ, বঙলা 'স'ৰ দৰে) কোখোন্ হোবে?" সেই লৰাটিয়ে বুজ নেপায় মোৰ কথা। তাক বহুবাৰ কলোঁ। কিছু পৰৰ পাছতহে সিহঁতে বুজ পালে। মোৰ বৰ লাজ লাগিছিল। অসমীয়া ল'ৰা দেখি সিহঁতে আৰু মাষ্টৰ সকলেও অসমৰ বিষয়ে জানিবলৈ উৎসুক আৰু ইচ্ছুক হৈ মোক বহুতো কথা সুধিছিল যেনে—"তোমৰা কি খোট্টা?" মই খোট্টা কি নেজানো। মই একো উত্তৰ নিদিওঁ। আমি ঘৰত কি কৰোঁ, কি খাওঁ এইবোৰো সুধিছিল। পাছত এবাৰ কলোঁ যে আমাৰ ঘৰত তাঁতশাল আছে। আয়ে তাঁত বয়। সিহঁতে সমস্বৰে কলে, "ও তাহোলে তোমৰা তাঁতি?" এনে যে কিমান প্ৰশ্ন সুধিছিল।

এদিনা স্কুলৰ মাছুল দি প্ৰাপ্তিস্বীকাৰ কাকত পালোঁ। পিন্ধিছিলোঁ মখমলৰ পায়জামা আৰু মখমলৰ চোলা। হেদুৱাৰ ওচৰেদি এখন গাড়ী গল। মন গল পাছত উঠোঁ। উঠিলোঁ। আজিকালি যেনেকৈ দুষ্ট ল'ৰা বিলাকে গাৰীৰ পাছত উঠে তেতিয়াও উঠিছিল। মই কিন্তু দুষ্ট নাছিলোঁ, দুষ্ট হবহে খুজিছিলোঁ। পাছত ফল হ'ল, এই গাড়ীৰ পাছত উঠোঁতে উঠিলোঁ হয়, কিন্তু নামিব নোৱাৰো। এতিয়া কি কৰোঁ! কোনোমতে নামিলোঁ। যি হ'ল নকলেও হব দেখোন। পৰিলোঁ। মাটিত বোকা। দুখ তো পালোঁৱেই, কলা মখমলৰ কাপোৰো নষ্ট হ'ল। ঘৰত গৈ ওলালোঁ। আই আৰু বাইদেৱে খুব খং কৰিলে। পাছত প্ৰাপ্তি কাকত বিচাৰি নেপালোঁ। মই পৰাৰ সময়ত সেই কাকতখনো পৰি থাকিল। মই উঠি আহিলোঁ, কিন্তু কাকতখন তাতে ৰল। আন গাড়ী, ঘোঁৰাই তাত সেই কাকতফেৰিৰ কাকত-লীলা সম্বৰণ কৰালে চাগৈ। তাৰ পাছদিনা মাষ্টৰলৈ গল চিঠি—বাইদেৱে লেখি দিলে। কিয়নো,আয়ে ইংৰাজী অলপ-অচৰপ বুজিলেও ইংৰাজী লেখিব বা পঢ়িব নেজানিছিল। চিঠিখন পঢ়ি নববাবু মাষ্টৰে মোক মাতি নি কলে, "হতভাগাটা ৰসিদখানা হাৰিয়েছিল।" এয়ে বোধ কৰোঁ "হতভাগা" বুলি গালি খোৱা মোৰ প্ৰথম। তাৰ পাছত নিজকে নিজে 'হতভাগা' বুলি কেবাবাৰো কৈছোঁ।

দেউতাই ঘৰত চুৰিয়া পিন্ধিছিল। সৰহ ভাগ সময়ত মোজা পিন্ধি থাকিছিল আৰু গাত ফ্লেনেলৰ কামিজ। তেওঁ শুদা গাৰে কদাচিতহে আছিল। গা বৰ বগা আছিল। মনত পৰাৰে পৰা তেওঁক ডাঢ়িৰে সৈতে দেখিছোঁ। মই ওপজাৰ আগৰ সময়খিনিৰ ছবিবোৰত তেওঁৰ ডাঢ়ি-গোঁফ নথকা দেখোঁ।

সংগ্ৰহ

স্বামী বিবেকানন্দৰ পত্ৰাৱলীৰ সাৰাংশ

— শ্ৰীযুত উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, বি-এ

হে বীৰ হৃদয়ৰ ডেকাসকল! প্ৰভু আমাৰ লগত আছে এই ভাব লৈ কাৰ্য্যত আগবাঢ়া। ডাঙৰ ডাঙৰ কামবোৰ কেৱল স্বাৰ্থত্যাগৰ পৰাই হয়। স্বাৰ্থৰ আৱশ্যকতা নাই, নামৰো নাই। নাম, যশ বা আন কোনো সামান্য বস্তুৰ কাৰণে পাছলৈ নাচাবা। মনত ৰাখা যে তৃণ কুটাৰে নিৰ্ম্মিত জৰীৰেই মত্তহাতীকো বান্ধি ৰাখিব পাৰি। বেদত কৈছে—"উঠা, জাগা, যিমান দিনলৈকে লক্ষ্য স্থান নোপোৱা সিমান দিনলৈকে নৰবা।" লিখা বা কোৱাৰ পৰা কি হব? উৎসাহ লাগে আৰু লাগে প্ৰেম, শ্ৰদ্ধা, বিশ্বাস। ভয়ক স্থান নিদিবা। সকলোতকৈ গুৰুতৰ পাপ হৈছে ভয়। সন্দেহ নাই, চিৰকাল কলম খোচাতকৈ বা চিঞৰ-বাখৰ কৰাতকৈ প্ৰকৃত কাৰ্য্য নিচেই কম হলেও ভাল। নেতা হবলৈ নাযাবা। নেতৃত্বৰ এই প্ৰবল প্ৰবৃত্তিয়ে জীৱন সমুদ্ৰত বহুত ডাঙৰ ডাঙৰ জাহাজ বুৰাইছে। এই বিষয়ত বিশেষ সতৰ্ক হোৱা আৰু মৃত্যুকো হেয়জ্ঞান কৰি নিঃস্বাৰ্থ হোৱা আৰু কাম কৰা।

জীৱনৰ অৰ্থ উন্নতি। উন্নতিৰ অৰ্থ হৃদয়ৰ বিস্তাৰ; আৰু হৃদয়ৰ বিস্তাৰ বা প্ৰেম একে কথা। গতিকে প্ৰেমেই জীৱন আৰু স্বাৰ্থপৰতাই মৃত্যু। 'দেহান্তৰ হলে একো নাথাকে' এই কথাও যদি কোনোৱে কয় তথাপি স্বীকাৰ কৰিব লাগিব এই স্বাৰ্থপৰতাই যথাৰ্থ মৃত্যু। পৰোপকাৰেই জীৱন আৰু পৰহিত চেষ্টাৰ অভাৱেই মৃত্যু। যাৰ হৃদয়ত প্ৰেম নাই সি মৃত প্ৰেতৰ বাহিৰে আৰু কি? দৰিদ্ৰ আৰু অত্যাচাৰপীড়িত লোক সকলৰ কাৰণে তোমাৰ প্ৰাণ কান্দি উঠক, প্ৰাণে কান্দোতে কান্দোতে হৃদয় ৰুদ্ধ হ'ক আৰু মগজু ঘূৰক। তেতিয়া গৈ ভগৱন্তৰ পাদপদ্মত তোমালোকৰ অন্তৰৰ বেদনা জনোৱা, তেনেহলে তেওঁৰ পৰা শক্তি আৰু সহায় আহিব—অদম্য উৎসাহ, অনন্ত শক্তি আহিব। মোৰ মূল-মন্ত্ৰ 'আগুৱাই যোৱা।' ভয় নাখাবা। ওপৰত অগণন তৰাৰে ভৰি থকা অনন্ত আকাশমণ্ডলৰ ফালে ভয়ৰ চকুৰে চাই নাভাবিবা যে সি তোমাক পিহি পেলাব। বাট চোৱা, দেখিবা অলপ দিনৰ ভিতৰতে সকলো তোমাৰ হাতৰ মুঠিত। টকাৰ পৰা একো নহয়, বিদ্যাৰ পৰাও নহয়, নামতো নহয় আৰু যশতো নহয়—ভাবৰ পৰা হে সকলো হয়। চৰিত্ৰই বাধা-বিঘিনিৰূপ বজ্ৰদৃঢ় প্ৰাচীৰৰ ভিতৰেৰে পথ উলিয়াই লব পাৰে। ভাৰতক তুলিব লাগিব, দুখীয়াক খুৱাব লাগিব আৰু শিক্ষাৰ বিস্তাৰ কৰিব লাগিব। সামাজিক অত্যাচাৰ যাতে একবিন্দুও নাথাকে তাকে কৰিব লাগিব। প্ৰত্যেক মানুহে যাতে আৰু ভালকৈ খাবলৈ পায় আৰু উন্নতি কৰিবলৈ সুবিধা পায় তাকে কৰিব লাগিব।

যি আনক স্বাধীনতা দিবলৈ প্ৰস্তুত নহয় সি কোনোমতেই স্বাধীনতা পাবৰ উপযুক্ত নহয়। এই অৱস্থা লাহে লাহে আনিব লাগিব যাতে মানুহক বেছি ধৰ্ম্মনিষ্ঠ হবলৈ শিকোৱা হয় আৰু সমাজক স্বাধীনতা দিয়া হয়। প্ৰথমতে কোনো বৰ ডাঙৰ আন্দোলন বা সামাজিক আন্দোলন বা সংস্কাৰ প্ৰচাৰ নকৰিবা। কেৱল ইয়াকে চাব লাগিব যাতে অন্ধলোকৰ কু-সংস্কাৰক প্ৰশ্ৰয় দিয়া নহয়। ৰামানুজে যেনেকৈ সকলোৰে প্ৰতি সমভাৱ দেখুৱাই আৰু মুক্তিত সকলোৰে অধিকাৰ আছে বুলি ধৰ্ম্ম প্ৰচাৰ কৰিছিল, তেনেকৈ প্ৰচাৰ কৰিব লাগিব। নিজৰ ভিতৰত উৎসাহ-অগ্নি প্ৰজ্বলিত কৰা আৰু চাৰিওফালে কাৰ্য্য বিস্তাৰ কৰা।

আনৰ আগত বৰ পণ্ডিত বুলি চিনাকি দিবলৈ নাযাবা। আমাৰ ভিতৰত যেন কোনোৰকম কপটতা বা দুষ্টামি নাথাকে। কাৰ্য্যত আগুৱান হোৱা। টকা থাককেই বা নাথাককেই, মানুহৰ সহায় পোৱা বা নোপোৱা তাত কোনো কথা নাই; তোমাৰ প্ৰেম থাকিলেই হ'ল। তেওঁৰ প্ৰভা বিস্তাৰৰ গতিত বাধা দিবৰ বা সহায় কৰিবৰ মই কোন? মই যন্ত্ৰ তেওঁ যন্ত্ৰী। তেওঁ এই যন্ত্ৰেৰে ইমান দূৰ দেশতো (আমেৰিকাত) হাজাৰ হাজাৰ মানুহৰ হৃদয়ত ধৰ্ম্মভাৱ উদ্দীপিত কৰিছে। সাধাৰণ মানুহৰ ঈৰ্ষা হিংসা দেখি তোমালোকৰ মনত যেন একো ভাব নহয়।

নেতা গঢ়িব নোৱাৰি, নেতা জন্মে। ঈৰ্ষা, স্বাৰ্থপৰতা সকলোকে ত্যাগ কৰিলেহে নেতা হব পাৰি। প্ৰেমেই সকলোকে জয় কৰে। আমাৰ সাৰ্ব্বজনীন ভাবৰ যাতে ব্যাঘাত নহয়, বাহ্যানুষ্ঠানবোৰ যেন একান্ত আৱশ্যকীয় হৈ নপৰে তাৰ পিনে চকু দিবা। আমি "পৰধৰ্ম্মক হিংসা নকৰিবা" এই কথাকে প্ৰচাৰ নকৰো; আমি সকলো ধৰ্ম্মকে সত্য বুলি পূৰ্ণৰূপে গ্ৰহণ কৰো। অকল প্ৰচাৰেই নহয়, আমি তাক কাৰ্য্যতো পৰিণত কৰো। সম্মিলিতভাৱে কাম কৰা। শক্তিৰ অভাৱে মাথোন গোলাম জাতিৰ স্বভাৱ হে দেখুৱায়।

যি ধৰ্ম্মই বা ঈশ্বৰে বিধৱাৰ চকুপানী নোমোচে বা পিতৃ-মাতৃহীন অনাথক এমুঠি চাউল নিদিয়ে মই সেই ধৰ্ম্ম বা ঈশ্বৰত বিশ্বাস নকৰো। যিমান সুন্দৰ মতবাদ হ'ক, যিমান গভীৰ দাৰ্শনিক তত্ত্বই থাকক যেতিয়ালৈকে সি মত বা কিতাপতেই থাকে তেতিয়ালৈকে মই তাক ধৰ্ম্ম নাম নিদিওঁ। দৰিদ্ৰ দুখী দুৰ্ব্বল সকলেই তোমাৰ ঈশ্বৰ নহয়নে? চৰিত্ৰবলত মানুহ সকলো ঠাইতে জয়ী হব পাৰে। ঈশ্বৰে তেওঁৰ

সন্তানবিলাকক সাগৰৰ মাজতো ৰক্ষা কৰে। মাতৃভূমিয়ে বীৰ সন্তান খুজিছে। তোমালোক বীৰ হোৱা। প্ৰকৃত বীৰে নীৰৱে কাম কৰি গুচি যায়।

কোনো মানুহ বা কোনো জাতিয়েই আনৰ প্ৰতি ঘৃণা জন্মিলে জীয়াই থাকিব নোৱাৰে। যেতিয়াই ভাৰতবাসীয়ে 'মেলেচ' শব্দ আবিষ্কাৰ কৰিলে আৰু আন জাতিৰ লগত সকলো সংশ্ৰৱ ত্যাগ কৰিলে তেতিয়াই ভাৰতৰ ভাগ্যত সৰ্ব্বনাশৰ সূত্ৰপাত হ'ল। তোমালোকে ভাৰতৰ বাহিৰৰ দেশৰ মানুহৰ ওপৰত এই ভাব পেলোৱাত বৰ সাৱধান হবা। বেদান্তৰ বচন মুখস্থ কৰা ভাল কথা; কিন্তু তাক কাৰ্য্যত পৰিণত কৰিব লাগে। দুটা কথাৰ পৰা খুব সাৱধানে থাকিবা—ক্ষমতা-প্ৰিয়তা আৰু ঈৰ্ষা। সদায় আত্মবিশ্বাস কৰিবলৈ চেষ্টা কৰিবা।

প্ৰেমেই অণিমাদি সিদ্ধি, প্ৰেমেই ভক্তি, প্ৰেমেই জ্ঞান, প্ৰেমেই মুক্তি। এয়ে পূজা—নৰ-নাৰী শৰীৰধাৰী প্ৰভুৰ পূজা। পৰোপকাৰেই মাথোন এক সাৰ্ব্বজনীন মহাব্ৰত। আবালবৃদ্ধবনিতা সকলোৱে এই ধৰ্ম্ম বুজিব পাৰে। মাথোন নিষেধকাৰী ধৰ্ম্মৰ পৰা কি হব? শিলে ব্যাভিচাৰ নকৰে, গৰুৱে মিছা কথা নকয়; তাৰ পৰা কি হ'ল?

ভেদবুদ্ধিয়েই বন্ধন আৰু অভেদ বুদ্ধিয়েই মুক্তি। সাংসাৰিক মদোন্মত্ত জীৱৰ কথাত ভয় নাখাবা। সমাজক, জগতক বৈদ্যুতিক শক্তিৰে অনুপ্ৰাণিত কৰিব। যিজন তেওঁৰ সন্তানৰ, দুখী, পাপী, তাপীৰ সেৱাৰ কাৰণে প্ৰস্তুত হব তেওঁৰ ভিতৰলৈকে তেওঁ আহিব। তেওঁৰ মুখলৈ সৰস্বতী আহিব, তেওঁৰ চকুত মহামায়া শক্তি বহিব।

অতীত মাধুৰী

বাণিজ্য

—অনাৰেবোল ৰায় শ্ৰীযুত কনকলাল বৰুৱা বাহাদুৰ, বি-এল

অসমত নানা প্ৰকাৰ বহুমূলীয়া বস্তু উৎপন্ন হয় আৰু সেইবিলাকৰ বেহা কৰি বহুত মানুহ সঙ্গতিপন্ন হৈছে। বিদেশৰ কত মানুহ আহি আমাৰ দেশত মূলধন খটাই কিমান ধন ঘটিছে তাক কোৱা টান। অসমৰ মাটি সকলোতকৈ সাৰুৱা, কাঠনিবিলাক বহুমূলীয়া কাঠেৰে ভৰা, চাৰিওফালে নাগমাটি, কেৰাছিন, লো প্ৰভৃতি নানা ৰকমৰ খনিয়ে উৎসাহী আৰু পৰিশ্ৰমীবিলাকলৈ ধনৰ দুৱাৰ মেলি থৈছে।

প্ৰকৃতিয়ে অসমত বিবিধ বস্তুৰ ভঁড়াল পাতি থৈছে হয়, কিন্তু সেই ভঁড়ালৰ পৰা ধন উলিয়াই আনিব লাগিলে যিবিলাক উপকৰণ আৱশ্যক সেইবিলাক আমাৰ নাই। প্ৰথমত, অসমীয়া মানুহৰ মূলধন নাই; দ্বিতীয়ত, অসমত কাম কৰা মানুহৰ অভাৱ। চাহবাৰী এখন খুলিব লাগিলেই বিদেশৰ পৰা বঙ্গালী কুলী নানিলে নহয়। অসমৰ লোকসংখ্যা কম—মাটি সৰহ। সকলোৰেই এহালিছা মাটি আছে; নিজে চহ কৰিব নোৱাৰিলেও লোকক আধি দি নিজে ঘৰত বহি খাই থাকে, পৰৰ তলত খাটিবলৈ কেলেই যাব? তৃতীয়ত—আমাৰ মানুহ বৰ এলেহুৱা; এলাহেই আমাৰ যত অনৰ্থৰ মূল। আনে যি সুবিধা পালে দহ গুণ লাভ কৰিব পাৰে আমি সেই সুবিধা পালে তাৰ এগুণ-মানো কৰিব নোৱাৰোঁ। অসমীয়া মানুহৰ এলাহৰ ঘাই কাৰণ দুটা :—(১) অসমৰ মাটি বৰ উৰ্ব্বৰা হোৱাৰ বাবে অলপ পৰিশ্ৰম কৰি চহ কৰিলেই ভাল খেতি হয়, বেছি পৰিশ্ৰম কৰিব নলগাৰ বাবেই আমাৰ মানুহবিলাক এলেহুৱা হৈছে। (২) অসমীয়া মানুহৰ কানি খোৱা অভ্যাস। ঈশ্বৰৰ কৃপাত এই দুটি কাৰণ লাহে লাহে গুচি আহিছে। এতিয়া আমাৰ দেশত বেলগথ হৈছে; আমাৰ দেশলৈ বিদেশীৰ সোঁত বেছিকৈ বৰ ধৰিছে। যিমান বিদেশীৰ সমাগম হব সিমান কাৰ্য্যক্ষেত্ৰত অৰিয়াঅৰি লাগি পৰিব। তেতিয়া অসমীয়া মানুহে টান পাই এলাহ দলিয়াই পেলাই কামত লাগিবলৈ বাধ্য হব। দয়ালু গৱৰ্ণমেণ্টৰ অনুগ্ৰহত আমাৰ দেশত শিক্ষাৰ প্ৰচাৰ ক্ৰমে বেছি হৈছে; আৰু তাৰ প্ৰভাৱত অসমৰ পৰা কানি খোৱা অভ্যাসটিও ক্ৰমে উঠি আহিব। কালৰ গতিত যে এই কুৰীতি দেশৰ পৰা একেবাৰে লোপ পাব আৰু এলাহ নোহোৱা অসমীয়া ডেকাই যে নতুন উদ্যম আৰু নতুন উৎসাহেৰে নিজৰ অৱস্থা ভাল কৰি দেশৰ অৱস্থা ভাল কৰিবলৈ প্ৰাণপণে যত্ন কৰিব তাক সুন্দৰকৈ আশা কৰিব পাৰি।

আজিকালি বহুত অসমীয়া ডেকাৰ লেখাপঢ়া কৰাৰ একমাত্ৰ উদ্দেশ্য, গৱৰ্ণমেণ্টৰ চাকৰি কৰা। কিন্তু গৱৰ্ণমেণ্টে যে আমাৰ সকলোকে কাম যোগাই পোহ-পালৰ দিহা কৰি দিব তাক ভবা অতি ভুল। সকলোৱেই ৰজাঘৰীয়া বিষয় নেপায়; সেই দেখি নিজে নিজে স্বাধীন জীৱিকা বিচাৰি উলিওৱা আমাৰ নিতান্ত যুগুত। বহুতে ভাবে স্বাধীন বৃত্তি অনুসৰণ কৰিব লাগিলে প্ৰথমতে কিছু ধনৰ আৱশ্যক; কিন্তু আমাৰ; সিমান ধন নাই, সেইদেখি আমাৰ পক্ষে স্বাধীন বৃত্তিও অসম্ভৱ। ই আমাৰ ভুল; বেহা-বেপাৰ চলালে কোনোৱেই প্ৰথমতে ডাঙৰকৈ আৰম্ভ নকৰে, অলপ অলপকৈ বঢ়াই নিয়াহে বিশিষ্ট উপায়। আকৌ অকল নিজৰ বেছি মূলধন নেথাকিলেও দহজনক একেলগ কৰিলে নিশ্চয় সৰহ হব; আৰু এইদৰে যৌথ-কাৰবাৰ কৰি সুন্দৰে ধন ঘটিব পাৰা যায়। ৰজাঘৰীয়া বিষয় লৈ কঢ়া-আজোৰা নকৰি এনেকুৱা স্বাধীন বৃত্তিৰ আশ্ৰয় ললে যে দেশ চহকী হব তাত কোনো সন্দেহ নাই, আৰু আন বাজে কথা এৰি উঠি অহা অসমীয়া ডেকাই যিমান দেশৰ কৃষি-বাণিজ্যৰ বিষয়ে ভু-বতৰা লয় সিমান দেশৰ মঙ্গলৰ আশা।

অসমৰ ঘাই উৎপন্ন বস্তুবিলাক এই—চাহ, কাঠ, সৰিয়হ, ৰবৰ, মৰাপাট, কপাহ, মুগা, এৰী, পাট, লা, হাতী-দাঁত, শিং ইত্যাদি।



বৈজ্ঞানিক জগত

যান-বাহনৰ পহিলা অৱস্থা

আজিকালি যিবোৰ যান-বাহন আমি দেখা পাওঁ সেইবোৰ আদিম অৱস্থাত তেনেকুৱা নাছিল; ক্ৰম-



পৃথিবীৰ প্ৰথম যান-বাহনৰ আকৃতি

বিকাশৰ ফলত সেইবোৰৰ আকৃতিৰ অনেক লৰ-চৰ ঘটিছে। ছবিত দেখুৱা ওপৰৰ সৰু ইঞ্জিনটো ১৮৪০ খৃঃত গ্ৰেন্‌ভিলৰপৰা পেৰিছলৈ অহা-যোৱা কৰোঁতে ব্যৱহাৰ কৰা হৈছিল। মাজত যি মটৰগাড়ীখন দেখি, সেইখন পৃথিবীৰ প্ৰথম মটৰগাড়ীবোৰৰ আন এখন। ছবিৰ তলত কেতবোৰ বাইছাইকেল দেখা পোৱা যায়। সেই বোৰৰ (বাওঁফালৰ পৰা) প্ৰথমখন ১৮৪০খৃঃত, ২য়খন ১৮৬০ খৃঃ,ত ৩য়খন ১৮৯০ খৃঃত আৰু ৪ৰ্থখন ১৮৯২ খৃঃত ব্যৱহাৰ কৰা।

প্ৰকাণ্ড বিজুলী পোহৰ

ৰাতি এৰোপ্লেনৰ বাট দেখুৱাবলৈ আমেৰিকাত এবিধ বৰ উজ্জ্বল পোহৰ ব্যৱহাৰ কৰা হয়। এই পোহৰৰ চাকিবোৰ আন বিজুলীবাতিতকৈ বেছি উজ্জ্বল আৰু সিহঁতৰ আয়তনো সেইবোৰতকৈ অতিশয় ডাঙৰ। ছবিত দেখুৱা এই বিজুলী বাতিটোৱে ১০,৭৫,০০০ বাতিৰ সমান পোহৰ দিব পাৰে। এই বাতিটো ইমান ডাঙৰ যে তাৰ ভিতৰত এজনী তিৰোতা মানুহ অনায়াসে বহি থাকিব পাৰে।



প্ৰকাণ্ড বিজুলী পোহৰ

মার্কনিৰ নতুন আৱিষ্কাৰ

বেতাৰযন্ত্ৰ আবিষ্কাৰকৰোঁতা বিখ্যাত বৈজ্ঞানিক পণ্ডিত মার্কনিয়ে আকৌ এটা নতুন আবিষ্কাৰ কৰিছে। ইটালীত বৈজ্ঞানিক সভা এখনত বক্তৃতা দিওঁতে তেওঁ কৈছে বোলে বেতাঁৰতৰঙ্গই বায়ুতৰঙ্গ ভেদ কৰি জগতময় বিয়পি পৰিব পাৰে। তেখেতে কৈছে যে যদি আমি কেতি-



মার্কনিৰ নতুন আবিষ্কাৰ

ৱাৰা মঙ্গল আদি গ্ৰহলৈ যাব পাৰোঁ। তেনেহলে তাৰপৰাও আমি বেতাঁৰৰ সহায়েৰে পৃথিবীলৈ বাতৰি পঠাব পাৰিম।

যন্ত্ৰেৰে উৰাহ-নিৰাহ লোৱা



কণীয়ে উৰাহ লব পৰা যন্ত্ৰ

অনেক কণীয়া মানুহ হৃদ্‌যন্ত্ৰৰ দুৰ্বলতাৰ কাৰণে উৰাহ-নিৰাহ লব নোৱাৰি অলপ সময়ৰ ভিতৰতে ঢুকায়। সেইবিলাক মানুহক ঢুকুৱাৰপৰা বঁচাবলৈ উৰাহ-নিৰাহ লব পাৰা এটা যন্ত্ৰ উলিওৱা হৈছে। সেই যন্ত্ৰটোৰ ওপৰত কণীজনক শুৱাই থৈ ঢাকনীৰে ঢাকি ৰাখিব লাগে; তাৰ পিছত যন্ত্ৰৰ কল টিপি দিলে উৰাহ-নিৰাহ আপোনা-আপুনি সহজ হৈ পৰে, আৰু কণীও ক্ৰমে ভাল হৈ আহে।

আচৰিত লেম্প-চেড

নিউ ইয়ৰ্ক নগৰৰ ভদ্ৰমহিলা এগৰাকীয়ে যোৱা বছৰ যতবোৰ ৰবদিনৰ উপলক্ষে কাৰ্ড পাইছিল, সেইবোৰ গোটাই লণ্ডনৰ ঢাকনী এখন তৈয়াৰ কৰিছে। ঢাকনীখন দেখিবলৈ বৰ ধুনীয়া হৈছে। বন্ধুবান্ধৰ সকলৰ কথা



কার্ডেৰে সজা লেমৰ ঢাকনী

সকলো সময়তে মনত ৰাখিবলৈ হেনো ভদ্ৰমহিলাগৰাকীয়ে এই সোৱঁৰণী-ঢাকনীখন সাজি লৈছে।

অসমীয়া ভাষাৰ প্ৰকৃতি

(২)

—পণ্ডিত শ্ৰীযুত উমাকান্ত মিশ্ৰ ব্যাকৰণতীৰ্থ বিদ্যাবিনোদ

সংস্কৃত	প্ৰাকৃত	অসমীয়া
অক্ষীণ	অক্খীণ	অজীণ

(অক্ষয়, সহজে ক্ষয় নোহোৱা, যেনে—অজীণ পাতকী।)

(ধাতু) অট্ (সক) অট্ট (অটই) আঁট্=আঁটে।

(জোৰে, বিয়পে, পায়)

(ধাতু) কথ্ (সক) অট্ট (অটই) আট্—আটে

(চেপে, চেপি ৰস উলিয়ায়, চুফালৰ পৰা হেচা দিয়ে।)

(ধাতু) শুষ্ (অক) অট্ট (অটইতি) আট্—আটে

এই ধাতু শুকোৱা অৰ্থত অকৰ্ম্মক, শুকুৱা অৰ্থত সকৰ্ম্মক। অসমীয়াত শুকুৱা বা চেপি ৰস উলিয়া, চেপি পানী উলিয়াই শুকাবলৈ সুবিধা কৰা অৰ্থত ব্যৱহাৰ হয়। যেনে:—'কাপোৰ আটে'—চেপি পানী নাইকিয়া কৰে।

নাইবা সংস্কৃত 'অট্‌ত' ধাতুৰ পৰাও অসমীয়া 'আট্' ধাতু ওলাব পাৰে। এই ধাতুৰ অৰ্থ হিংসা কৰা, দুখ দিয়া, পীড়া কৰা ইত্যাদি। এতেকে অসমীয়াত চেপি দুখ দিয়া অৰ্থও ব্যৱহাৰ হোৱা অস্বাভাৱিক নহয়।

অসমীয়াত কেবাটা 'আট্' ধাতু গুচাই এটা কৰিলে তাৰ অৰ্থ এইবোৰ হব। যেনে:—জোৰা, পোৱা, বিয়পা, আগুৱা, চেপা, ৰস উলিয়া, নীৰস কৰা ইত্যাদি।

অট্ট	অট্ট	অট্ট

(ওপৰৰ ঘৰ, ধালানৰ ওপৰ মহলা, ঘৰৰ ওপৰ ভাগ)

অট্টাল	অট্টাল	আটাল
অট্টল	অট্টল	(বৰ চাং)

ইয়াত 'অট্ট' শব্দৰ অৰ্থ ঘৰৰ ওপৰ ভাগ, বা ওপৰ মহলা, তাকে ধৰি থাকে বাবে এই নাম, নাইবা সুখ অৰ্থত ব্যৱহাৰ কৰা 'অট্ট+লা' (দান)।

এতেকে আলাহ খোৱা-কুটা আদি পৰিব নিদি আৰু ওপৰত বস্ত্ৰ-বাহানি বাখি সুখ-সুবিধা দিয়ে দেখি সেই নাম পায়।

অষ্টন্	অট্ঠ	আঠ
		(হিঃ আঠ)
অষ্টচত্বাৰিংশৎ	অট্ঠ চত্তালীস	আঠচল্লিশ
অষ্টাত্ৰিংশৎ	অট্ঠতীস্	আঠত্ৰিশ

এনে শব্দবোৰক মিশ্ৰ শব্দ বুলিব পাৰি। ইয়াৰ প্ৰথম ভাগ প্ৰাকৃত আৰু শেষ ভাগ সংস্কৃত। সংস্কৃত আৰু প্ৰাকৃত ভাষা মিহলি হৈ 'গাথা' ভাষাৰ সৃষ্টি হোৱা কথা অনেকে জানে। সেইদৰে কিছুমান শব্দতো তেনে মিহলি ভাব দেখা যায়।

অষ্টসপ্ততি	অট্ঠ হত্তৰি	আঠত্তৰ
	অট্ঠত্তৰি	
	অট্ঠ সত্তৰি	আঠ সত্তৰ
		(হিঃ অঠত্তৰ)
অষ্টপদা	অট্ঠপয়া	আঠপায়া

(আঠোটা খুৰা থকা আসন আদি।)

অষ্ট প্ৰাহৰিক	অট্ঠ পাহৰিঅ	আঠ পহৰিয়া
		আঠপৰিয়া

দেৱালয় আদিত আঠোপ্ৰহৰে যি কাম কৰে তেনে মানুহ।

অষ্টমঙ্গল	অট্ঠ মংগল	আঠমঙ্গলা

স্বস্তিক আদি আঠ বিধ মাঙ্গলিক দ্ৰব্য, তদ্‌যুক্ত, নাইবা বিয়াৰ অষ্টম দিনা কৰা ভোজনাদি উৎসব।

অষ্টমূৰ্ত্তি	অট্ঠ মুত্তি	আঠমুত্তি
		আঠমূৰ্ত্তি

অষ্টপঞ্চাশৎ	অট্‌ঠাবন্ন / অট্‌ঠবন্ন	আঠাৱন
		(হিঃ আঠাৱন)
অষ্টবিংশতি	অট্‌ঠৱীস / অট্‌ঠইস	আঠাইশ
		(হিঃ অট্‌ঠইস)
অষ্টষষ্টি	অট্‌ঠসট্‌ঠি	আঠষট্টি
		(মিশ্র)
অষ্টশিৰস্	অট্‌ঠসিৰ	আঠসিৰ / আঠসিৰা
আস্থা	অট্‌ঠা	আঠা
		(শ্ৰদ্ধা, বিশ্বাস, সম্পৰ্ক)
অস্থান	অট্‌ঠান	(অঠান) / অথান
অষ্টানবতি	অট্‌ঠানউই / অট্‌ঠানবই	আঠান্নবৈ
		(হিঃ অঠানবে)
অস্থান	অট্‌ঠানিয়	অঠানি / অঠানিয়া
অষ্টাদশন্	অট্‌ঠাৰ / অট্‌ঠাৰহ	অঠৰ / ওঠৰ
		(হিঃ অঠাৰহ)
অষ্টাশীতি	অট্‌ঠাসি	আঠাসি / আঠাশী
আস্থিক	অট্‌ঠিয়া	আঠিয়া

(হাড় বা কঠিন ভাগযুক্ত, মাজত হাড়ৰ দৰে কঠিন পদাৰ্থ থকা।)
যেনে :—আঠিয়া কল। (ভীমফল)

দেঃ	অড়্‌ড়	(আড়) আঁৰ

(বাধা, আটক, অন্তৰায়, ঢাকন, বিপৰ্যয়)

অড়্‌ড়িকা	অড়্‌ড়িয়া	আৰিয়া / অৰিয়া
		যেনে :—'অৰিয়া অৰি'
অৰ্দ্ধতৃতীয়	অড়্‌ড়াইয়	আঢ়াই / আঢ়ৈ
		অৰ্দ্ধ 'হীন' ত্ৰি + তীয় = অৰ্দ্ধতৃতীয়
		(হিঃ ঢ়াঈ)
(অব্য) ন	অ, অন	অ-অন
		যেনে :—অন্যায়, অনিষ্ট ইত্যাদি
অনঙ্গ	অনংগ	অনঙ্গ
		(অঙ্গশূন্য)
		কৃশাঙ্গ কামদেৱ
অনন্ত	অনংত	অনন্ত
অনন্তৰ	অনংতৰ	অনন্তৰ
অনল	অনল	অনল
অনাদৃত	অনাইয়	অনাই
		যেনে :—'অনাই বনাই'
অনাকুল	অনাউল	অনাউল
		(আউল জাউল নোহোৱা, ধীৰ
অনায়ক	অনায়গ / অনায়ক	অনায়ক
		(নায়ক বা অভিভাবকহীন)
অনাবৰণ	অনাবৰণ	অনাবৰণ
		(আবৰণ নাথাকা)
অনিমিষ	অনিমিস	অনিমিহ / অনিমিষ
দেঃ	অনিয়া	অনিয়া

(বিশেষ বিবেচনা নকৰাকৈ হিংসা কৰা, মনৰ অস্থিৰতা, জ্ঞানৰ অভাৱ, বিকল্পমূলক চিত্তবিকাৰ। যেনে :—আনিয়া অনি

অনিল	অনিল	অনিল
		(বতাহ)

(অব্য) অনু	অনু	অনু
		যেনে :—অনুৰোধ আদি
অনু	অনু	অনু
		(কণিকা)
অনুকূল	অনুকূল	অনুকূল
অনুগমন	অনুগমন	অনুগমন
অনুগামিন্	অনুগামি	অনুগামী
অনুচৰ	অনুচৰ	অনুচৰ
অনুচ্চ	অনুচ্চ	অনুচ্চ
অনুজ	অনুজ	অনুজ
অনুত্থ	অনুট্‌ঠ	আনা-উঠা
		(নুঠা, উঠিব নোৱাৰা)
অনুষ্ণ	অনুন্‌হ	আনাউহা
		(তপত নকৰা, নিসিজোৱা)
অনুদয়	অনুদয়	আনা উদয় / অনুদয়
অনুদিন	অনুদিন	অনুদিন (সদায়)
অনুধাৱন	অনুধাৱন	অনুধাৱন
অনুবন্ধ	অনুবংধ	অনুবন্ধ
		(স্নেহ, মৰম, অনুৰোধ, আগ্ৰহ)
অনুভৱ	অনুভৱ	অনুভৱ
অনুমৰণ	অনুমৰণ	অনুমৰণ।
		(সতী যোৱা)

হিঃ 'সতী হোৱা'। হিন্দী ভাষাত সতী হোৱা বোলে, আমি সতী যোৱা বোলো। কথাটো একেই।

অনুমান	অণুমান	অনুমান
অনুমেয়	অণুমেঅ	অনুমেয়
অনুৰাগ	অণুৰাগ	অনুৰাগ
অনুৰাগিম্	অনুৰাগি	অনুৰাগী
অনুলোম	অণুলোম	অনুলোম
অনুবাদ	অণুবাদ	অনুবাদ
অনুসন্ধান	অণুসংধান	অনুসন্ধান

অনুসৰণ	অণুসৰণ	অনুসৰণ
অনুসাৰ	অণুসাৰ	অনুসাৰে
অনুশাসন	অণুশাসন	অনুশাসন
অন্ন	অণ্ণ	আন
অন্ন	অণ্ণ	অন্ন (ভাত)
অন্যান্য	অণ্ণথ	আন আন
অন্যত্ৰ	অণ্ণত্ত	আনত
অন্যায়	(অণ্ণায়)	অন্যায়
অতত্ত্ব	অতত্ত	অতৎ
		(সংজ্ঞা বা জ্ঞান নাথাকা)
অতুল	অতুল	অতুল
আত্মস্	অত্ত	আতা
		(ককা, পিতামহ বা মাতামহ)
আপ্ত	আত্ত	আতা
		(জ্ঞানাদি সত্বগুণসম্পন্ন, বীতৰাগ, গুৰু, মুক্তি, মুক্ত পুৰুষ) এতেকে সত্ৰৰ অ তা
অত্ৰ	অত্ত	আত, অত
		(ইয়াত, এই ঠাইত)

(ধাতু) অস্তায়্ (সক) আথা (অথাই) অতা—অতায়
(ডুবি যোৱা, বুৰি যোৱা, তললৈ যোৱা, অদৃশ্য হোৱা অৰ্থত অকৰ্ম্মক আৰু ডুবোৱা, বুৰোৱা, তল খেদোৱা, অদৃশ্য কৰা, বিসৰ্জ্জন দিয়া অৰ্থত সকৰ্ম্মক। অসমীয়াত শেহৰ অৰ্থ বোৰত ব্যৱহাৰ হয়।)
যেনে :—'প্ৰতিমা অতায়'। পানীত উটুৱাই দিয়ে
(ধাতু) আ + স্থ (সক) অথ্ (অথ্ৰই, কৰ্ম্মবাচ্যত)
(শেতেলী কৰা, বিছনা কৰা, শুবলৈ সজুলি ঠিক কৰা।)

আস্তৃত	অথ্অ	আথুৱা / আঠুঁৱা

'অথ্অ' শব্দৰ অৰ্থ—বহল কৰা, মেলা, টৰা বা টনা; এতেকে বহলাই শুবৰ সুবিধা কৰা হয় বাবে এই নাম।

মূলধাতুৰ লগত অৰ্থ সাম্য।

অদয়	অদয়	অদয় (নিৰ্দ্দয়)
আৰ্দ্ৰ	অদ্দ	অদা

(ভিজা, অকঠিন, কোনো ভাজা বস্তু ভালদৰে ভাজা নোহোৱা।)

অৰ্দ্ধ	অদ্ধ	আধা (হিঃ আধা)

অৰ্দ্ধপ্ৰহৰ	অদ্ধ পহৰ	আধা পহৰ
	অদ্ধ পঅৰ	আধা পৰ
অৰ্দ্ধমাস	অদ্ধ মাস	আধা মাহ
অধনিন্	অধণি	অধনী
অধম	অধম	অধম
অধিকৰণ	অধিকৰণ	অধিকৰণ
অনল	অণল	অনল

মৰণ নৈৰ সিপাৰে

চিত্ৰ নাটিকা—

শ্ৰীযুতা বিষ্ণুপ্ৰিয়া ৰাভা ঠাকুৰীয়া

সময়—ৰাতি।

ঠাই—এটা জুপুৰি ঘৰৰ ভিতৰুৱাকোঠা। [কোঠাটোৰ বিছনা এখনত এজনী শিক্ষিতা গাভৰু ছোৱালীয়ে বহুদিন ৰুগীয়া অৱস্থাত পৰি মাজে মাজে কেঁকাই গেঁথাই ছট্‌ফট্‌কৈ আছে। মূৰ শিতানত বুঢ়ী বাঁৰীমাকে বিচনীৰে তাইৰ মূৰত বিচি আছে। কাষত এখন পীৰাত ওষুধ-পানীৰ পাত্ৰ। অলপ আঁতৰত বেৰত হেলন দি এটা চাকৰ লৰাই জুপুকা মাৰি মজিয়াত বহি টোপনিয়াই আছে। ভৰিৰ ফালে এটা অলপমেল্ খাই থকা খিড়িকীয়েদি জোনৰ পোহৰ আহি ৰোগীৰ মুখত পৰি তিৰবিৰাই আছে। গছাত এটা চাকি ক্ষীণ পোহৰেৰে টিমিক্‌টামাক্‌কৈ জ্বলি আছে।]

ছোৱালী—[চট্‌ফট্‌কৈ] উস্! পানী! পানী! উস্!!

বুঢ়ী মাক—[পীৰাত থকা এটা সৰু বাটীত পানী ঢালি ৰোগীৰ মুখৰ ওচৰলৈ নি] এয়া পানী আইকণ! অলপ মুখ মেল্।

[ছোৱালীজনীয়ে মুখ মেলাত মাকে তাইৰ মুখত পানী ঢালি দিয়ে।]

ছো—উস্! এতিয়া হে ৰক্ষা পৰিলোঁ। বুকুত যিহে জুই জ্বলিছিল!

[মাকে পানীৰ বাটিটো পীৰাত থৈ আকৌ বিচে]

ছো—[অলপপৰ টলকা মাৰি] আইতা! মূৰটো বৰ বিষাইছে। অলপ পিহি দিলাহেঁতেন.....

[বুঢ়ী মাকে তাইৰ কপালখন পিহি দিয়ে।]

মা—এতিয়া কেনে পাইছা, সোণাই?

ছো—ভাল লাগিছে, বৰ ভাল লাগিছে।

[লেলীয়া মাতেৰে] তোমাৰ মৰম সনা আঙুলিৰ পিটিকনিতকৈ ওষুধ-পানী ভাল লাগিব নে?

মা—বাৰু, এতিয়া অলপপৰ টলকা মাৰি শুই থাক্‌চোন। মই পিহি পিটিকি থাকোঁ।

[ছোৱালীজনীয়ে টলকামাৰি থাকে আৰু মাকে তাইৰ মুখৰ ফালে চাই কপালখন পিহি-পিটিকি থাকে।]

ছো—আইতা!

মা—কিয়, মোৰ সোণাই?

ছো—[মাকৰ মুখৰ ফালে চাই] মই দেখিছোঁ, তোমালোকৰ এই মাতৃ-জাতিটো পৃথিৱীৰ এটা আচৰিত বস্তু।

মা—[মিচিকিয়া হাঁহিৰে] কেৱল আমিয়েই নে? তয়ো দেখোন তাৰে এজনী।

ছো—হলেও হলোঁ ক'তা!

মা—[শুকান মুখেৰে] বাৰু, সিবোৰ কথা এৰিদে। এতিয়া শোচোন।

ছো—[অলপ পৰ টলকা মাৰি] আইতা!

মা—আকৌ!

ছো—[মিনতিৰে] নহয়, আইতা! তোমাক কাবৌ কৰিছোঁ, এটা কথা সোধোঁ!

মা—বাৰু, কি ক'চোন?

ছো—গোটেই জগতৰ অন্ধ শক্তিয়ে এই মাতৃ জাতিটোৰ মৰম, আদৰ আৰু কোমলতাৰ আগত মূৰ দোঁৱায় কিয়?

মা—নাৰীৰ সত্য-ধৰ্ম্ম বুলি।

ছো—সঁচাকৈ তোমালোকৰ এনে মৰম পালে কি ভাব হয় জানানে আইতা?

মা—কি?

ছো—এই প্ৰায় সোতৰ বছৰ বয়সতো দুবছৰীয়া কেঁচুৱা পোণাটিৰ দৰে তোমাৰ ডিঙ্গিত সাবট মাৰি তোমাৰ অমৃতৰ খনি সৌ বুকুত মুখটো গুজি কোলাত বহি মই যেন উমলি ফুৰিছোঁ। আৰু মনে ধৰে.....

মা—[বাধাদি] তই জনা-বুজা ছোৱালী হৈও মোৰ কথা নুশুন কিয়? এনে জৰত ইমান নবকিবি। বাৰু, এতিয়া শো।

ছো—তেন্তে বাৰু বিচি দিয়া। পিহিব নালাগে। মূৰেদি ভাঁপ ওলোৱা যেন লাগিছে। বিচিদিলে কি জানি চেঁচা পৰেই।

[মাকে বিচি দিয়ে আৰু ছোৱালীজনীয়ে খন্তেক পৰ টলকা মাৰি শুই থাকে।]

ছো—[সাৰ পাই] উস্! [ইকাতি সিকাতিকৈ বাগৰি চট্‌ফট্ কৰে।]

মা—কি হৈছে, আই?

ছো—ডিঙ্গি শুকাইছে, আই। অলপ কিবা খাবলৈ পালে—

মা—[বেদানাৰ ৰসৰ বাটিটো আনি] এয়া বেদানাৰ ৰস খাই ল। [কেইচামুচ মান খুৱাই পীৰাত থৈ দিয়ে।] এতিয়া কেনে লাগিছে?

ছো—ভাল লাগিছে।

মা—তেন্তে শো।

ছো—মই বাৰু শুলোঁৱেই আইতা, তুমি নোশোৱা কিয়? মোৰ কাৰণে মিছাতে ইমান কষ্ট কেলৈ?

মা—শুবলৈ আৰু আজৰি আছে নে আই? মোৰ সোণৰ কাল উকিল যোৱাৰে পৰা বাঁৰী দুখুনী হৈ দুখ বেজাৰকে যেতিয়া বৰণ কৰিছোঁ, তেতিয়া মোৰ সুখেই বা ক'ত আৰু কষ্টই বা ইমান বেছি কিহৰ?

ছো—তাকেই তো মই কওঁ, বিধাতাৰ সৃষ্টিত যেন কিবা খুঁত লাগি আছে।

মা—[শুকান হাঁহিৰে] তেনেকৈ কব নাপায় আই! স্ৰষ্টাৰ ভুল ধৰা মহাপাপ।

ছো—সেই পাপ উদ্ধাৰিয়াই দেখুৱাবলৈ যাওঁতে তোমাৰো ভুল ধৰা পৰে আইতা! ই আজি তোমাৰ চকুত পৰা নাই, নপৰেও,

মা—সি মোৰ বুঢ়াকলীয়া দোষ হব পাৰে।

ছো—নিশ্চয়! যিবিলাক বস্তু স্ৰষ্টাৰ পূজাত লাগে সিবিলাকক তেওঁ সৰ্ব্বাঙ্গ সুন্দৰ কৰি সকলো সুবিধা দি সৃজন কৰিছে।

মা—তাৰ মানে?

ছো—তাৰ মানে, যিজন সৃষ্টিকৰ্ত্তাৰ প্ৰধান সহায়, সেই বেলি দেৱক তেওঁৰ জীৱনৰ আনন্দময় যৌৱন জুৰাই শেহ ছোৱাত সন্ধ্যাৰাণীৰ বুকুত লয় হবলৈ দিছে। তেওঁৰ পূজাৰ কাৰণে সৃষ্ট সৌ ফুলকুৱঁৰী ইতক তাইহঁতৰ জীৱনৰ শেহত সম্পূৰ্ণ সুবাস আৰু বিকাশেৰে সৈতে প্ৰণয়া চঞ্চল ভোমোৰাৰ হৰ্ষাকুল

চুমাৰ মৃদু কঁপনিৰ লগে লগে মৃত্যুদান দিছে। আৰু সৌ চোৱা! স্ৰষ্টাৰ সৃষ্টি সুন্দৰ কৰি তুলিবলৈ সুন্দৰী জোনবাইক ৰূপালী ৰহণ সনা চমকা-চমকি ডাৱৰৰ মাজত জিলিকি থাকিবলৈ পূৰ্ণিমাৰ পিছত মৰণ দিছে। কিন্তু মানুহৰ বেলিকা এনে নকৰি আন কিবা হে কৰিছে। বুঢ়াকাল জীৱনৰ শেহছোৱাত দি মানুহক শোক সাগৰত বুৰাই জুকলি জুপুৰি কৰি নগুৰ শান্তি কৰি মাৰিছে। এনে কাণ্ড বোৰ দেখি কাৰ মনত নো সন্দেহ নহয়?

মা—কিন্তু তথাপি.....

ছো—[বাধাদি] ইয়াত "কিন্তু তথাপি" নাখাটে, আইতা! [অলপ পৰ টলকা মাৰি] মই প্ৰকৃতি হলে কি কৰিলোঁ হেঁতেন জানানে আইতা!

মা—কি কৰিলি হেঁতেন?

ছো—নৰনাৰীক কুৎসিৎ বান্দৰৰ ঠাঁচেৰে সৃষ্টি নকৰি এটি ক্ষণজীৱী চিৰ সুন্দৰ পলুৰ আদৰ্শত গঠন কৰিলোঁহেঁতেন। যৌৱন জীৱনৰ প্ৰাৰম্ভত নিদি শেহত লগাই দিলোঁহেঁতেন।

মা—মই নুবুজিলোঁ।

ছো—শুনা, পলুৱে যেনেকৈ জীৱনৰ আগছোৱাত পোৱালী অৱস্থাত পাতে পাতে উমলি ফুৰে, মাজ বয়সত বাহৰ ভিতৰত সোমাই বুঢ়া লেটা পোক সাজি জুপুকা মাৰি বহি থাকে আৰু শেহত যৌৱনৰ সুন্দৰ সাজ পিন্ধি পখিলা হৈ ফুলে ফুলে মৌৰস চুহিবলৈ উৰি ফুৰে, ঠিক তেনেকৈ ময়ো মানুহক সৃজন কৰিলোহেঁতেন। নৰনাৰীক এনেকৈ সৃষ্টি কৰিলোঁহেঁতেন, যেন পখিলাৰ দৰে জিল্‌মিলীয়া পাখি মেলি কিছুপৰ বাঁচি থকাৰ পিছত এটি হৰ্ষাকুল চুমাত সিহঁতৰ জীৱনৰ কামনাও শেষ হলহেঁতেন। কেনে? ভাল নহল হেঁতেন নে আইতা?

মা—ই আমাৰ সাধ্যৰ অতীত আই! স্ৰষ্টাৰ সৃষ্টি ভাঙিবৰ ক্ষমতাখিনি নো ক'ত?

ছো—এই ক্ষমতা নিদিয়াতেই স্ৰষ্টাৰ স্বাৰ্থ বিৰিঙি ওলায়। তথাপি সেই ক্ষমতা আৰ্জ্জিবলৈ জগতৰ মানুহ বৰ ব্যস্ত। সেয়েহে আজি মানুহে স্ৰষ্টাৰ সৃষ্টিৰ বেৰ ভাঙি সুৰুঙা বিচাৰি বিজ্ঞানৰ সাহায্যেৰে বাহিৰলৈ ওলাবলৈ চেষ্টা কৰিছে।

মা—এইবিলাক প্ৰলাপৰ দৰে হে লাগিছে।

ছো—আৰু শুনা। সৌ···

মা—[বাধা দি] নয়ৰ, আৰু নুশুনো। এইবিলাক বেবেৰিবাং কথা নুশুনো! বাৰু, ভাল হ'লে যিমান কৰ কৰি।

ছো—আৰু ভাল হ'ম নে আইতা? ভাল হবৰ শকতি মোৰ আছে নে?

মা—কিয় নহবি? [হাত যোৰ কৰি] ঈশ্বৰ আছে নহয় সোনাই! [ৰোগীৰ কপালত হাত দি উচাপ খাই] আই ঔ কেনে তপত! যেন জুইৰ আঙঠা হে! [চল্ চলীয়া চকুৰে] শো মাইনা শো! জ্বৰ বেছিহৈছে। আৰু নবকিবি। শো। [কপালত এটা চুমা খায়।]

ছো—তোমাৰ হিয়াত আঘাত লাগে যেতিয়া নবকোঁ আৰু। বাৰু, আগেয়ে মোক কিবা দিয়া, পিয়াহ লাগিছে। খাই-বৈ শুই থাকোঁ।

[মাকে বেদনাৰ ৰসৰ বাটিটো ৰোগীৰ মুখৰ ওচৰলৈ আনি খুৱাই দিয়ে।]

মা—এতিয়া কেনে লাগিছে শোণাই!

ছো—ভিতৰত যেন জুই হে জ্বলিছে। উস্!

মা—তেন্তে মনে-মনে শুই থাক। [ছোৱালীয়ে মনে-মনে শুই থাকে আৰু শেহত টোপনি যায়। মাকে বিচি থাকে, আৰু মাজে মাজে ছোৱালীৰ মূৰত হাত বুলায়। তাইৰ মুখৰ ফালে চাই চাই মাকৰ দুগালেদি চকুলো বয়।]

মা—[দীঘলকৈ হুমুনিয়াহ কাঢ়ি] হে প্ৰভু দয়াময়! ইমানতো তোমাৰ দয়া নহল নে? এই বাঁৰী দুখুনীক নো আৰু কিমান কষ্ট দিয়া? জীয়াতকৈ মৰা কৰিলা কিয়? একেবাৰে মাৰি বেজাৰৰ

মূৰ মাৰি নেপেলোৱা কিয়? উস্···

[বিহাৰ আঁচলেৰে চকুলো মছে আৰু ৰোগীয়ে অস্পষ্টকৈ প্ৰলাপ বকে।]

মা—[বিছনাৰ পৰা নামি লাহে লাহে এখুজি দুখুজিকৈ চাকৰ-লৰাটোৰ ওচৰলৈ আছি] অ' ৰঙাই! ৰঙাই! উঠ। [তাৰ গা জোকাৰি] ৰঙাই! ৰঙাই ঔ! উঠ!

ৰঙাই—[চক্‌মক্ খাই] কি মাই! কি! ৰাতিপুৱাল নে? চাহ কৰিবৰ হ'ল নে? [উঠি উক্‌মুকাই কণামুণাহৈ দুৱাৰ মেলিবলৈ বেৰত খপিয়াই থাকে।]

মা—[ৰঙাইৰ হাতত ধৰি জোকাৰ মাৰি] নহয় ঔ! ৰাতি পুউৱা নাই।

ৰ—[চকু মোহাৰি মোহাৰি] তেন্তে কি?

মা—[ফুচ্‌ফুচাই] আইকণৰ জ্বৰ বেছি হৈছে। অলপ পানী —

ৰ—অ'! [লৰা লৰিকৈ দুৱাৰ মেলি ঘৰৰ বাজ হৈ চেঁচা পানী থকা কলহ এটা আনি, লাহেকৈ দুৱাৰ খন জপাই দিয়ে।]

মা—আনিছা! ভাল কৰিছা! এডোখৰ ফটাকানি আনগৈ যা। [ৰঙায়ে ফটাকানি আনিবলৈ এফালে লৰি যায় আৰু বুঢ়ীয়ে কলহটো ডাঙ্গি ৰোগীৰ ওচৰলৈ আনি মূৰ শিতানত বহি বিচি থাকে।]

ৰ—[ফটাকানি আনি] এয়া মাই! [মাকে ফটাকানি ডোখৰ লৈ চেচা পানীত তিয়াই ৰোগীৰ মূৰত দিয়ে। তথাপি ৰোগীয়ে বিৰ্‌বিৰ্‌কৈ বকি থাকে।]

মা—ৰঙাই! তই বিছি থাক চোন। এই মূৰত ফটাকানি ডোখৰ তিয়াই দি থাকোঁ।

[ৰঙায়ে বিচনীখন লৈ বিচি থাকে।]

ছো—[সাৰ পাই, হাঁহি হাঁহি] আইতা! আইতা!

মা—কি সোণাই!

ছো—দেখিছানে?

মা—কি মোৰ জীউ?

ছো—স্বৰগৰ মেল।

মা—ক'তা?

ছো :— সৌ ৰূপালী ডাৱৰৰ চমকাৰ আঁৰত।

মা—নাই।

ছো—[আচৰিত হৈ] দেখা নাই? কি আচৰিত! মৰণ নৈৰ সিপাৰৰ সৌ মেলখন দেখা নাই!! কেনে সুন্দৰ! কেনে ধুনীয়া! যেন, স্বৰগৰ গোটেই শান্তি, অমৃত, যৌৱন আৰু সৌন্দৰ্য্যৰে সান মিহলি হৈ জক্‌মকাই তাত বিয়পি লিপিট্ খাই আছে। মুখৰ হাঁহিত বিজুলি বেখাৰ ৰহণ সানি সকলোৱে সৌ মেলত থোপ খাই ৰূপালী জোনৰ পোহৰত বিশ্ববায়নৰ ছেৱে ছেৱে ঠেও ধৰি নাচিছে। [হাত চাপৰি বজাই] কেনে সুন্দৰ! কেনে সুন্দৰ!!

মা—[ৰোগীৰ গালত হাত দি] আইকণ! আইকণ! কি বকিছ?

ছো—আইতা! আইতা! এই বিশ্বত সুখী কোন জানানে?

মা—শো সোণাই! শো।

ছো—যি সকলে মৰণ-নৈৰ সিপাৰৰ আটোম্‌টোকাৰিকৈ পতা, বেমেজালি নোহোৱা সৌ মেল খনত গোট্ খাই জুমে জুমে আনন্দত মতলীয়া হৈ উমলি ফুৰিছে। তাকে নুবুজি আজি বিশ্ব বাসীয়ে মিছাকৈ শোকে বেজাৰে এই সংসাৰত চকুলোৰে নৈ বোৱাইছে। বিশ্ববাসী সকল! সেই মহা-পুৰুষ সকলৰ কাৰণে চকু-লো নুটুকিবা। যিসকল এতিয়াও জীৱাই আছে সেই দুৰ্ভগীয়া হঁতৰ কাৰনে কান্দা! ফেঁকুৰি ফেঁকুৰি কান্দা! সিহঁত এতিয়াও সংসাৰৰ মায়াৰ বন্ধনত বান্ধ খাই মৰিবলৈ জীয়াই আছে।

মা—[চকুলো টুকি] উস্ প্ৰভো! এই বুঢ়াকালত এই দৃশ্য দেখি নো মই কেনেকৈ থাকোঁ! নাই! এই লক্ষণ ভাল দেখানাই। [ৰঙাইৰ

ফালে চাই] যা ৰঙাই! বেজ জনকে মাতি আনগৈ যা। [ৰঙায়ে ঘৰৰ পৰা ওলাই যায়।]

ছো—[আনন্দত চিঞৰি] আইতা! আইতা! চোৱাচোন!

মা—[ভগা মাতে বে] কি?

ছো—সোৱা! দেউতাই সৌ মেলৰ মাজৰ পৰা আঁতৰি মোৰ ফালে আকুল নয়নে চাই আছে। উস্! কেনে সুন্দৰ! যেন এজন দিপলিপ ডেকা হে। দেউতাৰ চেহাৰাৰ ইমান সলনি হৈছে যে তেওঁক চিনিবকে নেৱাৰি। [উৎফুল্ল হৈ] আইতা! চোৱা! চোৱা॥ দেউতাই মোক হাত বাও দি কেনেকৈ মাতিছে! যাম নে?

মা—[কান্দি] এই বুঢ়ী দুখুনী মাৰক এৰি তই কলৈ নো যাবি অ' মোৰ সোণাই?

[বিহাৰ আঁচলেৰে চকুলো মছিবলৈ ধৰোঁতে দুটোপামান ৰোগীৰ কপালত পৰে।]

ছো—[উচাপ খাই] কি! আইতা কান্দিছা? কিয়? ভয় লাগে? বাৰু, মই নাযাওঁ! [মাকে হুক্‌হুক্‌কৈ কান্দে।]

ছো—আইতা! সোৱা চোৱাচোন মৰণ-নৈৰ বুকুত ৰূপালী ঢল বোৰ কেনেকৈ জিল্‌মিল্‌কৈ জিলিকিব লাগিছে! সেই ঢলবিলাকৰ বুকুত চান্দিৰ মণিবোৰ কেনেকৈ টলমলাব লাগিছে! তাত জাঁপ মাৰি পৰিবলৈ মোৰ মন-প্ৰাণ যেন চঞ্চল হৈ উঠিছে।...

মা—[ৰোগীৰ গা জোকাৰি] আইকণ! অ'আইকণ!

ছো—[গহীন ভাৱে] কি?

মা—মোৰ মুখৰ ফালে চাচোন [ৰোগীয়ে মাকৰ ফালে চায়।]

মা—মই কোন ক'চোন?

ছো—আইতা।

মা—তেন্তে বলিয়ায় দৰে এনেকৈ বকিছ কিয়?

ছো—[খিৰিকীৰ ফালে চাই ভয়েৰে চিঞৰি] আইতা! আইতা! সোৱা কোন? ভূতনে পিশাচ?

[উচাপ খাই] খালে ঔ! আই ঔ! ধৰ, ধৰ কোন আছ ধৰ।

মা—[সাবট মাৰি] কি হ'ল আইকণ!

ছো—[কঁপি কঁপি] উস্! কি কুৎসিৎ! কি বিকট! কেনে কৃষ্ণকায়!.....যেন আঁউসীৰ কলীয়া অন্ধাৰ!.....তাৰদীঘলীয়াদাঁত বোৰো যেন সেই আন্ধাৰৰ বিজুলীৰ দৰে ভীষণ!...উস্! কি চোকা! যেন চাওদাঙৰ হাতৰ দা হে!— [চিঞৰি] মাৰিলে ঔ! কাটিলে! কাটিলে! আইতা! আইতা!

[মাকে আগৰ দৰে সাবট মাৰিধৰিয়েই থাকে। তেওঁৰ দুগালেদি চকুলো বয়।]

মা—[ৰোগীৰ গালত নিজৰ গাল খন লগাই] কিহৰ ভয় সোণাই? মই কাষতে আছোঁ নহয়? ভয় কিহৰ?

ছো—আইতা! আইতা! [এনেতে দুৱাৰ মেলি ৰঙায়ে বেজবেৰৈতে ভিতৰলৈ সোমায়।]

মা—[বেজক দেখি বিহ্বল হৈ হুক্‌হুক্‌কৈ কান্দি] দেউতা! দেউতা! আইকণ মোৰ বুকুৰ মণি! তাই গলে নো এই বাঁৰী দুখুনী জীও কেনেকৈ? তাইক এইবেলিলৈ ৰক্ষা কৰক, দেওতা ঈশ্বৰ! ভাল হলে আপোনাক আশীৰ্ব্বাদ দিম। আপোনাৰ ঘৰত গোলামকে খাটিম, ঈশ্বৰ! গোলামীত বাজে এই দুখুনীৰ নো আৰু কি আছে দেউতা!

ছো—[হাতভৰি আফলিয়াই] আইতা! আইতা! সোৱা পিশাচ! খেদি দে! খেদি দে! ৰঙাই! খেদিদে।

মা—এই হিয়া ভগা দৃশ্য দেখি,! এই বুঢ়ীয়ে নো কেনেকৈ সহে দেউতা?

বেজ—[সান্ত্বনা দি] বাউল নহবা বুঢ়ী আই! তুমি এনে হলে নো তাইক চাব কোনে? [বেজে ৰোগীৰ নাড়ী চায় আৰু মাকে মূৰ শিতানত বহি কান্দি থাকে।]

মা—[কান্দি কান্দি] কি দেখিলে দেউতা।

বে—[কলা মুখেৰে] ঈশ্বৰেহে জানে। জীৱ দান জানো আমাৰ হাতত বুঢ়ী আই? [জেপৰ পৰা ওষুধৰ চিচা এটা উলিয়াই পীৰাত থৈ] এয়া ওষুধ। এতিয়া এপালি খুৱাই দুই ঘণ্টাৰ পিছত আৰু এপালি খৱাবা। মই তিনি ঘণ্টাৰ পিছত এবাৰ ভুমুকি মাৰি যামহি। বাৰু আহিলোঁ।

[বিষণ্ণ মুখেৰে প্ৰস্থান]

মা—[হুমুনিয়াহকাঢ়ি] উস্! প্ৰভু ঈশ্বৰ! ইমানতো তোমাৰ দয়া নহল নে? [ৰোগীৰ ফালে চাই] আইকণ! কেনে লাগিছে?

ছো—[চক্ খাই] কোন? কোন? পিশাচ!

মা—[চিঞৰি] আইকণ! উস্!

ছো—যা, গুছি যা! আতঁৰ হ। নাযাৱ! নাযাৱ! ঠিক! দেউতাক মাতোঁ! দেউতা! দেউতা!— পিশাচ! তেও তই নগলি। মোৰ দেউতালৈ তোৰ ভয় নাই নে? কি! আগুৱাইছ? তোৰ ইমান সাহ! সাৱধান! আইতা! আইতা! পিশাচে মোৰ ডিঙিত টিপা মাৰি ধৰিছেহি। মোৰ টেটু ছিঙি ভাঙি নিয়ে হে এতিয়া! দেউতা! দেউতা! .....সোৱা! দেউতা আহিছে।.....দেউতা। মোক নিবলৈ আহিছা! আহা! আহা! তোমাৰ লগে লগে মৰণনৈৰ ঢলৰ বুকুত নাচি বাগি হালিজালি উটি ভাহি সিপাৰৰ সৌ সুন্দৰ পুৰীলৈ গুচি যাওঁ। সিপুৰীৰ সৌ মৃদুল বাঁহীৰ ছেৱে ছেৱে নাচি নাচি তাৰ অমিয়া পান কৰোঁ। .....আইতা! আইতা!

মা—[মোৰ হিয়া ভাঙি অকলে পেলাই তই কলৈ নো গুছি যাব অ'.....মোৰ মইনা.....ঐ.....! [বিনাই বিনাই কান্দে।]

ছো—আইতা! আইতা! নাকান্দিবা!

মা—[বিনাই] অ' মোৰ সোণাই ঐ!.....

ছো—আজিৰ এই বিদায়ৰ দিন চকুলোৰ সোতত নিজক উটাই নিদিবা আইতা! [অলপ পৰ বৈ] তথাপি, তথাপি মোক এৰি নিদিয়া! আইতা! তালৈ মই আগেয়ে গৈ, সিপুৰীৰ এডোখৰ সুন্দৰ ঠাইত তোমাৰ কাৰণে এখন আসন সাজি থম দেই!

[দূৰণিত কুকুৰৰ ভুকনি, শিয়ালৰ হোৱা হোৱা ধ্বনি আৰু জুপুৰিৰ কাষৰ এজোপা গছত ফেঁচাৰ নিউ নিউ মাতে এই দৃশ্য আৰু বিভীষিকাময় কৰি তোলে।]

মা—[কান্দি কান্দি] আইকণ! আইকণ!!

ছো—নাই! মই যাও! আজি এই উৎসৱত মোৰ সকলো দোষ ক্ষমা কৰি বিদায় দিয়া আইতা!...

মা—[উচুপি উচুপি] এই বুঢ়ী মাৰলৈ তোৰ অলপো দয়া নহল নে?

ছো—দেউতা! দেউতা! নিয়া, মোক নিয়া! তোমাৰ স্বৰগৰ অমিয়া পৰশ দি মৰণনৈৰ সিপাৰলৈ মোক লৈ যোৱা। সংসাৰৰ বান্ধোনৰ শিকলি ছিঙি তোমাৰ বুকুত সাবটি লৈ সিপুৰীৰ আনন্দৰ সোঁতত মোক বুৰাই দিয়া! [ক্ষীণ মাতেৰে] আইতা! আইতা! আজিৰ এই বিদায় পৰত মোৰ সুগন্ধি স্মৃতিমালা ধাৰি তোমাৰ ডিঙিত আঁৰি থৈ গলোঁ! এই স্মৃতি মালাৰ গোন্ধ খিনিকে লৈ মোৰ মৃত্যুৰ পিছত মাঝে মাঝে মোক সোঁৱৰিবা।

ৰঙাই—[বিছনাৰ কাষত অকলে বহি উচুপি উচুপি কান্দি] অ' আইকন অ'! অমাক এৰি থৈ তই নো কলৈ যাব অ!

ছো—[খেহাই ক্ষীণ মাতেৰে] আইতা! পা—নী! উ-স—

মা—[দুই চামুচমান পানী খুৱাই কান্দি কান্দি] আইকণ আইকণ!

[এনেতে এজোলোকা কুকুৰা বতাহ আহি টিমিক্ টামাক্ কৈ জলি থকা॥চাকীটো নুমাই দিয়ে! কোঠাটো আন্ধাৰ হয়; কেৱল মেলখাই থকা

থিবকিব মাজেদি জোনালী কিবণ আহি বোগীব দেহাটো পোহৰাই থাকে।]

ছো—[মাকব কালে সেঁতাবলৈ চুল চুলীয়া চকুকে চাহ নিষ্ফট মাতেৰে] উস্ বিদায়! ফিস্-স্-স্—আ—[চকুমুদে আক মৃত্যু]

মা—[মৃতা কন্যাব বুকুত ঢাল নিজব বুকুত দুকুৰাই কান্দি] আহকণ অ'! এই বাৰী দুখুনী মাবক এবি অকলে পেলাই না তই কলৈ গলি! ঐ!.....আইকণ ঐ॥ কিয় এৰা তই শুচি গলি মোৰ সোণাই এ!

ৰ—[মজীয়াত বাগবি বাগবি কান্দি] অ' আইবনী! —অ'— !!!

—আৱাকাপোৱ—

অষ্টাদশ শতাব্দীৰ পুৰণি চিত্ৰ

প্ৰত্নতত্ত্ব—

—শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী

প্ৰাচীন সম্পদ সংগ্ৰহ কাৰ্য্যত নিযুক্ত থাকোঁতে মঙ্গলদৈত দৰঙী ৰজাৰ ফৈদৰ শ্ৰীযুত প্ৰতাপ নাৰায়ণ দেৱৰ ঘৰত চিত্ৰ থকা এখন সাঁচিপতীয়া অনাদি পাতন পুথি ২৮।৪।৩০ তাৰিখে পোৱা হয়। অনুসন্ধান সমিতিৰ মিউজিয়মত ই বৰ্ত্তমানে ৰক্ষিত হৈছে। দৰঙীৰজাৰ কেইবাজনো সভাপণ্ডিতে অসমীয়া ভাষাৰ বিশেষ উপকাৰ সাধন কৰি গৈছে। সূৰ্য্যধৰি দৈবজ্ঞ বিৰচিত দৰংৰাজ-বংশাৱলী এখন উৎকৃষ্ট প্ৰাচীন জীৱনী সাহিত্য। এই ৰজা সকলৰ যত্ন আৰু সাহায্যত কেইবা বিঘা উচ্চ ধৰনৰ পুথি ৰাজধানীত ৰচিত হৈছিল। আমি স্বচক্ষে তেনে উচ্চ ধৰণৰ দুই চাৰিখন পুথিৰ শোচনীয় অৱস্থা দেখি আহিছোঁ। অনাদি পাতন পুথি খন ৮শহৰ ঘেৰ বিৰচিত। ই শ্ৰীমদ্ভাগৱতৰ অন্তৰ্গত। সূৰ্য্যধৰি বিপ্ৰ নামে এজন পণ্ডিতে দৰঙৰাজ সমুদ্ৰ নাৰায়ণৰ আদেশত ১৭০৪ শকাব্দত পুথিখন চিত্ৰাঙ্কিত কৰি বচনা কৰে। পুথিৰ বিষয় বস্তু চিত্ৰেৰে অঙ্কিত থকাৰ গুণে ই এটি অমূল্য সম্পদ হৈছে। এই পুথিৰ চিত্ৰবোৰে প্ৰায় দেৱশ বছৰ আগৰ অসমীয়া খণিকবি বিদ্যা বা চিত্ৰবিদ্যাৰ নিদৰ্শন প্ৰকাশ কৰে। অনাদি পাতন পুথিৰ সৃষ্টিতত্ত্বৰ বিষয় (Cosmology) আলোচনা আছে। সৃষ্টিপ্ৰকৰণ যথা—

"যেনমতে জগত স্ৰজন্ত নাৰায়ণ।
যেনমতে ব্ৰহ্মন্ত পাতাল সাতোখন॥
সপ্তদ্বীপ, বসুমতী, সপত সাগৰ যত যিমতে
স্ৰজন্ত মেৰু মন্দৰপৰ্ব্বত॥
যেনমতে ব্ৰহ্মাণ্ডক কৰন্ত নিৰ্ম্মান।"

ইত্যাদিবোৰ বিষয়ৰ আলোচনা কৰা আছে। এই পুথিত আখ্যান বস্তুৰ বিবৰণ অনুযায়ী সুন্দৰ সুন্দৰ চিত্ৰ অঙ্কিত আছে। চিত্ৰবোৰ বিবিধ বহণেৰ উজ্জ্বলভাবে ৰঞ্জিত কৰা হৈছে। কোনোবা চিনেমা কোম্পানীয়ে পুথিখনিৰ চিত্ৰবোৰৰ "ফিল্ম" কৰাই লিলে সৃষ্টিতত্ত্ব প্ৰত্যক্ষীভূত কৰি শিক্ষিত জনমণ্ডলীক চমৎকৃত কৰিব পাৰে। এই পুথিত থকা কেইখন মান চিত্ৰ বিশেষভাৱে মনোৰঞ্জক। যেনে—সৃষ্টিলীলামতে বসুমতী খন আঠোটা দিগ্‌গজৰ ওপৰত আলাসতে কিদৰে চাংখনৰ দৰে বৈ আছে। আকৌ সেইদৰে অষ্টবসু



সাঁচিপতীয়া অনাদি পাতন



সাঁচিপতীয়া অনাদি পাতন

কাৰণৰ জন্ম-কথন নামৰ পথা
আৰু সংক্ষেপ পদ্ম কাকীৰ লৌকুছ

আৱাহন

ভৰণী, আর্দ্রা, কৃত্তিকা, রোহিণী, মৃগশিরা, মঘা, পুষ্যা, পূর্ব্বফাল্গুণী, পুনর্ব্বসু, অনুরাধা, উত্তরফাল্গুণী, অতা চিত্রা, স্বাতী, বিশাখা, অশ্লেষা, শ্রবনা, ধনিষ্ঠা, মূলা শতভিষা, উত্তরষাঢ়া পূর্ব্বভাদ্র, পূর্ব্বষাঢ়া, রেবতী উত্তরভাদ্র পদ ইত্যাদি আঠাইছ নক্ষত্রৰ বিবিধ ভাবৰ চিত্র বোৰ অতি বিতোপন। সম্প্রতি আমি নবৰবিষৰ চিত্র ধন ইয়াত প্রকাশ কৰিলোঁ। বঙ্গা আৰু বাইজৰ সহায় আৰু সংগ্রহভূতি পালে আমাৰ দেশৰ উচ্চ সভ্যতাৰ আনুসঙ্গিক লুপ্ত নিদর্শন বোৰ এতিয়াও উদ্ধাৰ কৰি জগতৰ বিদ্বৎ-সমাজত অসমীয়া জাতীয়ৰৰ বহুত কথা প্রকাশ কৰিব পাৰি। চিত্রধন বুজিবৰ অর্থে মূল পুথিৰ পদ ফাঁকি দিয়া হল :—

দক্ষিণে ভাৰত কিষ্কিন্ধ্যক তাৰোপৰে।
আছে হৰি ৰবিষ তাহাত অনন্তৰে।
কেতুমালা, ভদ্রাশ্ব, মধ্যত ইলাবৃত।
আছে মেৰু মূলত ৰবিষ বিপৰীত।
উত্তৰত ৰম্যক, হিৰণ্যময় আছে
প্রকাশ উত্তৰা কুৰু জানা তাত আছে
সৰাতো অধিক ইটো ভাৰত ৰবিষ
যাত জন্ম লভিবাক দেৱৰো হৰিষ।

ছবি

গল্প—

—শ্রীযুত মুনীন্দ্রনাথ বৰকটকী

—এক—

ছবি আঁকে—চিত্রকৰ সি। সুন্দৰ তুলিধাৰ তাৰ হাতত পৰিলে যেন নাচি উঠে কাৰ অঙ্গৰ পৰশ লাভ কৰিবলৈ। ছবিতেই তাৰ প্রাণ—দুনিয়াৰ সকলো তাৰ ছবিৰ মাজতে।

কিমান ছবি আঁকিছে সি! কত ব্যথাতুৰ হৃদয়ৰ তপ্ত বেদনা প্রকাশ কৰিছে সি তাৰ সেই তুলিধাৰেৰে। কত বিৰহৰ জ্বালা, কত শোকৰ অশ্রু তাৰ তুলিধাৰৰ পৰশত মূর্ত্ত হৈ উঠিছে। প্রকৃতিৰ কত দুখৰ ছবি, কত আনন্দৰ হাঁহি তাৰ তুলিধাৰৰ পৰশ পাই সার্থক হৈ উঠিছে।

জীৱনৰ সাধনা তাৰ ছবি। প্রাণৰ তেজৰ টোপাল-বোৰ তাৰ শেষ হৈ যায়—ছবিৰ লগতে। জীৱনটো তাৰ গৈছে ছবিৰে মাজেদি। তথাপি কোনেও তো তাক সোধা নাই—কিমান ছবি আঁকা চত্রকৰ আৰু? তোমাৰ ছবিৰ শেষ পাইনে?

ছবি আঁকি যায় সি—নীৰৱ নলিপ্ত। প্রাণৰ বন্ধন বোলোৱা ছবি সি বিচাৰে—তাৰে সাধনা।

—দুই—

সেই নৈৰ ঘাটটো। বিচিত্র তাৰ লীলা—তাতকৈও বিচিত্র পানী নিবলৈ অহা মানুহৰ বৈচিত্র্য। কিমান মানুহ আহে তাৰৈ দিনৌ। পানী তুলিবলৈ থাকে কিমান গাধুৱঁলৈ আহে কিমান। সিও আহে—বাতিপুৱা গা ধোৱেঁহি।

ঘৰৰ বোৱাৰী বোৰ ভোমোৱাৰ জাকৰ দৰে আহে—কাষত কলহবোৰ। বাতিপুৱা আৰু গধুলি এয়ে তাইহঁতক দেখাৰ সময়। তাতো ওবনী—দীঘল ওবনী। কি যেন কঠোৰ বান্ধোন তাইহঁতৰ মনত।

সি ৰ' লাগি চায়—কি মধুৰ এই দৃশ্য! এই মধুৰতাৰ মাজতে কিমানবিধি আকৌ বাঢ়োনৰ শাসন। প্ৰকৃতিৰ লীলা!

—তিন—

ব্ৰহ্মপুত্ৰ—তাৰ বিশাল বুকুত কত দেশ-বিদেশৰ যাত্ৰী, কত দূৰ দূৰান্তৰ নাও বিলাক। পাল তৰি দি নাৱৰীয়াই ধৰা গীত—সুৰৰ ঢৌ আহি যেন মিলিছেহি পাৰৰ মাটিৰ লগত। কেতিয়াবা আকৌ ব্ৰহ্মপুত্ৰৰ পানীৰ সোঁতত মাজত সুৰে অস্তিত্ব হেৰুৱায়—বতাহ সখীৰ লগত দিগন্তত মিলি যায়।

সি শুনে সেই সুৰ। নৈশনিৰ কুলু-কুলুৰ লগত নাৱৰীয়াৰ গীতৰ বেশ! কেনে মধুৰ! প্ৰাণটো তাৰ কি এটা আবেগত নাচি উঠে! সি পাহৰি যায়—সংসাৰ আৰু বাস্তৱতা।

নাও আহে কত দূৰৰ পৰা। গীতৰ সুৰ লাগেহি পাৰৰ গছনিত। নাও আঁতৰি যায়—চকুৰে নেদেখা হৈ পৰে। সি তেতিয়া তুলি লয়—তাৰ মৰমৰ তুলিখাৰ। ছবি আঁকে। ব্ৰহ্মপুত্ৰৰ বিশাল বুকু—তাৰ ওপৰত নাও। নাৱৰীয়াই নাও এৰি দিছে—বতাহত হালি জালি গৈছে তাৰ পালথন।

সকলো পাৰে সি—সকলোবে ৰূপ সি দিব পাৰে—নোৱাৰে মাথোন নাৱৰীয়াৰ গীতটো। কি গীত চাগৈ সি গায়—দূৰত এৰি অহা প্ৰাণ-প্ৰতিমাৰ সোঁৱৰণীত।

সি দুখ পায়—কিয় নোৱাৰো ছবিত সেই গীতটো ফুটাব!

—চাৰি—

লীলা—অকণমানী ছোৱালীজনী। টুকুটুকীয়া মুখখনি যেন—গোলাপৰ কলি এটি। মধুৰ তাইৰ মাত—বিশ্বখনকে যেন বলিয়া কৰি দিব তাইৰ মাতেৰে। নীলা চকুযুৰি কোনখনিকৰ সৃষ্টি লীলা—বিধাতাই জানে।

তাই সদায় তাক দেখে—দেখে ৰাতিপুৱা নৈৰ পাৰত গা-ধোৱা, দেখে নৈৰ পাৰত বহি কিবা সি ভাবিছে; তাৰ পিছত কাকত পেন্সিল লৈছে; আৰু তাৰ পিছত কিবা আঁকিছে।

তাই ভাবে—কিয়, সি এনেকুৱা কিয়? কিয় সি তাইৰ দৰে নাথাকে, কিয় তাইৰদৰে ধেমালী নকৰে?

—পাঁচ—

"কিমাননো ভাবি থাকাহে?"

চিত্ৰকৰে যেন শুনিলে তাৰ প্ৰাণৰ দেৱতাই আহি কৈ গল—কিমাননো ভাব? মানুহৰ দেৱতা মই—মোৰ ছবি আঁকি সানিবে তাত প্ৰাণৰ বৰণ।

স্বৰ্গৰ ভাৰবাজ্যত সি তেতিয়া।

—"কথা নোকোৱা নেকি হে?" তাই আকৌ সুধিলে। তাৰ চমক ভাগিল। চকু মেল খালে। বুজিলে স্বৰ্গত নহয়—মাটিতহে।

দেখে—ধুনীয়া সেই অকণমানী ছোৱালীজনী তাৰ পাছতে থিয়হৈ।

—"কোন তুমি?"

হাঁহি ভৰা মুখখনিত তাইৰ আৰু যেন হাঁহি ওলাল।

—"মোক চিনি নেপোৱানে, দেও!"

—"কেনেকৈনো চিনি পাম, কোৱা। দেখিছোঁ তোমাক সদাই; কিন্তু তুমি যে মোক নামাতা।"

—"বাক, চিনিতো আজি পালা? থাকিব লাগিব কিন্তু চিৰদিন—এই চিনাকী। বুজিছা?"

—"বাক! নাথাকিলে হলে চাবা!"

স্বীকাৰ কৰিলে সি—তাইৰ কথা ৰাখিব। ভাবিতো নাচালে—পাৰিবনে নোৱাৰে।

—ছয়—

বহুদিনৰ মুবত। লীলাৰ যৌৱনৰ সৌন্দৰ্য্য তেতিয়া —বসন্তৰ পুৱাত ফুলি উঠা নতুন ফুলথোপাৰ নিচিনা—মধুৰ। লীলা, লীলা—জীৱনৰ তাৰ একমাত্ৰ সন্ধান যেন তাহে।

বৰ আবেগেৰে সি এদিন লীলাক কলে—"ছবি এখন তোমাৰ আঁকিম দেই লীলা!"

তুমি বাক যিমান আঁকিবা পাইছোঁ"—ধেমালীৰে তাই কলে। "বাক চাবা, আঁকিমেই আঁকিম।

.....কিন্তু এটা প্ৰতিজ্ঞা তুমি এতিয়াই কৰিব লাগিব। কোৱা'—কৰিবা?"

—"কিহৰ আকৌ প্ৰতিজ্ঞা কৰিব লাগে?"

—"ছবিখন শেষ নোহোৱালৈকে চাব হলে নোৱাৰা।"

—"বাক।"

লীলাৰ ছবি—তাৰ তুলিকা তেতিয়া লীলাৰ কাৰণে সৰ্ব্ব-হাৰা।

—সাত—

টান অৰ তাইৰ—কেবাদিনো। চিত্ৰকৰে শুনিলে—লীলাৰ অৰ। বুকুখনে যেন কিহৰ এটা বিষাদৰ ভবিষ্যৎ দেখি কান্দি উঠিল—চিৰিং কৰি গল।

ভাবিলে—এবাৰ গৈ বাতৰি লৈ আহিব। কিন্তু চিনি যে নপায়—লীলাৰ বাহিৰে কাকো।

তেও ওলাল। সেইদিনা ওলাল—বুকুত অদম্য এক প্ৰেৰণালৈ। বিছনাত লীলা—চকুযুৰিৰ জেউতি যেন ক'ত লুকাল। মুখখনি যেন কোন তাওৰৰ কঠোৰ পৰশত ৰৱৰৱ দৰে চেঁচা, শুকান। কিয়?—

লীলাই সুধিল—"ছবিখন হলনে দাদা?"

—"নাই কোৱা লীলা! কেইদিনমানতে হব?"

—"সেইদিনাই মোক দেখুৱাবা দেই—নাপাঁহৰিবা।"

—"বাক।"

—আঠ—

ৰাতিপুৱা সেইদিনা তাইৰ টান অৰ। চপুৰীয়াৰ সূৰ্য্যৰ কড় প্ৰকাশৰ আগজাননী পাওঁ-পাওঁ কৰোঁতেই, তাই চকু মুদিলে। সাৰ আৰু নাপালে।

মৰাৰ সময়ৰ তাইৰ বাণী—

"দাদাক কবা, ছবিখন মোৰ যেন দিব।"

সি খৰৰ পালে—কপালত লেখিছিল ইয়াকেহেনে বিধাতাই! বজ্ৰপাতৰ দৰে তীব্ৰ বেদনা—সি সহিব নোৱাৰা হল। সি কন্দা নাই—জীৱনৰ বহুত বাধা-বিপত্তি জয়কৰি সি কৰিছিল আত্মপ্ৰতিষ্ঠা—তথাপি এদিনো কন্দা নাই। কিন্তু সেইদিনা কান্দিলে—বাখিব নোৱাৰিলে হিয়াৰ বাথা লুকাই। বাৰিষাৰ—ভৰ-বাৰিষাৰ সোঁতৰ দৰে চকু-পাণীতাৰ শিৱ শিৱকৈ পৰিল।

ছবিখন—জীৱনত যিমান ছবি যি আঁকিছিল, সকলোতকৈ প্ৰাণৰন্ত আছিল সেইখন। কত বিনিদ্ৰ ৰজনীৰ সঁফুৱা তাৰ ছবিখন! লীলাৰ মুখখনি ফুটন্ত গোলাপ কলিটিৰ দৰে বঙ্গা; সেই নীলা চকুযুৰি—সেই কিচকিচীয়া চুলিতাবি!—ফুটি উঠিল—তাৰ ছবি খনত মূৰ্ত্ত হৈ। লীলাৰ সেই ফাঁকি কথা—"ঠিক মোৰে নিচিনা হব লাগিব কিন্তু!"—তাৰ মনত পৰিল। কিমান যতনেৰে আঁকিছিল সি!

নিষ্ঠুৰ আঘাতৰ নিষ্ঠুৰ বেদনা—হৃদয়ৰ তাৰ সকলো হৰষ কাঢ়ি নিলে। প্ৰাণৰ তৃপ্তি তাৰ কোন প্ৰলয়ৰ নাচোনৰ মাজত লুকাল.....কোনে জানে?

ছবিখনলৈ চাই আছে সি। লীলা! কেলেই আঁকিছিল সি ছবিখন? কোনে তাক আঁকিবলৈ কৈছিল?

হেঁপাহ পলাই সি চুমা খালে-ছবি খনকে।.....লীলা —তাই যদি থাকিলহেঁতেন!.....

তাৰ অন্তৰাত্মাগুপুত ঠাইৰ পৰা কলে—

"দিম লীলা! যতে থাক, তোৰ ছবি তোকেই দিম— জীৱনৰ সাধনা মোৰ সফল হব।"

কহিমাত দুমাহ

(১)

—বায় চাহাব শ্রীযুত গোপিকা বল্লভ গোস্বামী

পোনতে ১৯২৬ ছনব ডিছেম্বব মাহত এটা ফৌজদাবী মোকর্দ্দমাব আপীল দাখিল কবিবব উদ্দেশ্যে মই কহিমালৈ যাব লগাত পবে। এয়ে কহিমাব লগত মোব প্রথম চিনাকি। কিন্তু এই আপীল সম্পর্কে পাছত কেবাবাবো গৈ-আহি থাকিব লগা হোবাত কহিয়া যেন আমাব নিচেই আপোন, এনে লগা হ'ল। এই মোকর্দ্দমাব বাবে বিকেবাব গৈছিলোঁ। কোনো বাবতে দুই তিন দিনব বেছি থাকিব নোবাবিছিলোঁ। মকেল আৰু মোকর্দ্দমাব কামত লাগি থকাত কোনো বাহিবা কথা জানিবব বা কোনো এজন স্থানীয় ভদ্রলোকেবে দেখা-সাক্ষাৎ কবাব এবাবো সুবিধা কবিব নোবাবিলোঁ। কহিমাব পবা যেতিয়াই উলটি যাওঁ তেতিয়াই এই কথা মনত পবি বব দুখ লাগে। সুবিধা কবিব পাবিলে কিছু দিন তাত থকাকৈ যাম এই ভাবটো তেতিয়াবে পবা মোব মনত হৈছিল। কিন্তু চাবিওফালে নানা লেঠাত আৰু সাংসাবিক জঞ্জালত মনব কথা মনতেই মাব গৈছিল। ঘকবা লেঠাযে আমাব মানুহক জুকলা-জুপুলা কবিলে। এই লেঠাযে কিমান মানুহক সর্ব্বস্বান্ত কবিলে আৰু কিমান প্রতিভাসম্পন্ন লোকব প্রতিভা আৰু চিন্তাশক্তি লোপ কবিলে তাব অন্ত নাই। যোগীপ্রবব শ্রীযুত অববিন্দ ঘোষে যথার্থতে কৈছে যে যেতিয়া ভাবতব ভাবিব পবা শক্তি আছিল, তেতিয়া ভাবত সকলোবে অগ্রগণী হৈছিল আৰু যেতিয়াবে পবা এই শক্তিব অভাব হল তেতিয়াবে পবা অধঃপতন আবম্ভ হ'ল। এই ঘকবা লেঠাব হাত সবা বব টান। পাবোতে নো ভগবান বিষ্ণুযে কৈছিল নে?—

একা ভার্য্যা প্রকৃতি মুখবা চকলা চ দ্বিতীয়া
পুত্রপ্যেকো ভুবনবিজয়ী মন্মথো দুর্নিবাবঃ।
শেষঃ শয্যা শয়ন জলধৌ বাহনো পন্নগাবিঃ
স্মাবং স্মাবং স্বগৃহ চবিতং দাকভূতো মুবাবিঃ॥

চাবি পাঁচ বছবে আৰু মনব আশা পুবাবৈলে সুবিধা কবিব নোবাবিলোঁ। এনেতে এই বছবব মেই মাহত ডিমাপুবব এজন মাহুহে এটা ফৌজদাবী মোকর্দ্দমাত তেওঁব পক্ষে মোক উকীল দিয়ে। ভদ্র লোকজন উক্ত মোকর্দ্দমাত আচামী। এই মোকর্দ্দমাব সম্পর্কে প্রথম বাব কহিমালৈ গৈ নগা পর্ব্বতত কিছু দিনলৈ বাস কবা ভাবটো আকৌ প্রবল হৈ উঠিল। এনেতে ঘবত লবা-চুবিবিলাকব অসুখ-বিসুখ হৈ ভাবটো আৰু প্রবল কবি তুলিলে। অইন ঠাইলৈ যোবাব দবে নহয়, নগা পর্ব্বতলৈ যাবলৈকো বহুত লেঠা। তাব ডিপুটী কমিচনাবব হুকুম নহলে তালৈ কোনো যাব নোবাবে। এনে হুকুম যে লাগতিয়াল এই কথা তাত অলপদিন নাথাকিলে বাহিবব পবা বুজিব নোবাবি। দ্বিতীয় লেঠা হৈছে হুকুম পালেও ঘব পাবলৈ নাই। কহিমাত দুমাহ থাকিবলৈ অনুমতি খুজি এখন চিঠি পঠালোঁ। পাছে ডিপুটী কমিচনাব চাহাবে যেনিবা ততালিকে অনুমতি দি মোক 'পাছ' দিবলৈ ডিমাপুবব থানাব দাবোগাজনলৈ আদেশ পঠাই দিলে। ঘবব নিমিত্তে কহিমাত থকা মোব বন্ধু শ্রীযুত জীবেশ্বব ববদলৈলৈ চিঠি লিখিলোঁ। মোব নিমিত্তে অশেষ যত্ন কবি মাহে দহ টকা ৰূপত ভাড়া ঠিক কবি তেওঁ ঘব এটাব দিহা কবিলে। এতিয়া সকলো বিলাকব যো-যা হ'ল, মাথোন যাবহে

লাগে। ২৯ জুলাই বুধবাব দিনা যাবলৈ থিব কবি মটবেবে ফবকাটিং ষ্টেশ্বনব ফালে ঢাল ললোঁ। ঘবব ওচবতে ফবকাটিং-যোবহাটব বেলওবে লাইনব গোলাঘাট ষ্টেশ্বন। উঠা নমা কবাব অসুবিধাত এটো ষ্টেশ্বনত মুঠি ফবকাটিং ষ্টেশ্বনলৈ গ'লো। মই বুঢ়াব লগত বুঢ়ী, সক লবা তিনটি, দুমলীয়া ছোবালীটী আৰু বন কবা লবা ছোবালীবে মিলি আঠোটি প্রাণী আছিল। মজলীয়া শ্রেণীব টিকট লৈ ১৫-৫৪ মিনিটত ভাটীমুখীয়া ৩২ নং ট্রেইনত আমি সকলোটি উঠিলোঁ। বেলুত উঠাত ফবকাটিং ষ্টেশ্বনব ষ্টেশ্বন মাষ্টাব মৌলবী তোবাবুল্লা চাহাবে নথেঁ সহায় কবিলে। এই বাবে তেওঁক অন্তবেবে শলাগ নিদি নোবাবিলোঁ। তেওঁ এজন বব অমায়িক মানুহ। কি হিন্দু, কি মছলমান সকলোবে তেওঁ প্রিয়পাত্র। মুঠতে বেলব বিষয়া সকলব ভিতবত এনে এগবাকী সাধু অতি বিবল।

বেলব ঘণ্টা পবিল। ২০ মিনিট সময় এই ষ্টেশ্বনত জিবণি লৈ বেলগাড়ীয়ে খোজ ললে। ক্রমে বাটীং জামুওবি ববপথাব। সকপথাব নাওজান, আৰু বোকাজান ষ্টেশ্বন পাব হৈ সন্ধিয়া বেলিকা ১৮-২৬ মিনিটত ডিমাপুব (বর্ত্তমান বেল বিভাগে দিয়া নাম মণিপুব বোড ষ্টেশ্বন) পালোগৈ। বেলত যাওঁতে যাওঁতে দেববহুবীয়া "ভেকো" নামেবে মোব সক লবাটিয়ে বহুবালি কবি আমাক কিমান হঁহুবালে তাক কৈ ওব পেলাব নোবাবোঁ। তাব গাত এই বহুবালি গুণ থকা দেখি মাহুহে তাক "ভেকো পগলা" বুলি উপলুঙা নামেবে মাতি জোকায়। 'ভেকো পাগলা' বুলিলেই সি গোটেইটো জঁপিয়াই উঠে।

ষ্টেশ্বনত কেবাজন মাহুহেও মোব নিমিওে বাটচাই আছিল। বেলব পবা বস্তু বাহানি বিলাক নমাই মুটিয়াব কানত দি শ্রীযুত বিদ্যাধব শর্ম্মাব ঘবব ফালে আমি খোজ ললোঁ। তেওঁব ঘব ডিমাপুব ষ্টেশ্বনব পবা এফার্লাঙমান হব। ফুলাবগাঁও নামে নতুন বজাবব মাজেদি যাব লাগে। শ্রীযুত বিদ্যাধব শর্ম্মা যোবহাটব মাহুহ—শ্রদ্ধেয় শ্রীযুত লক্ষ্মীনাথ শর্ম্মা এম-এ, ডাঙবীয়াব ভায়েক। বেহা-বেপাব কবিবব মনেবে আজি তিনি বছবমান হৈছে তেওঁ আহি নিজা ঘব কবি ডিমাপুবত আছে। বাতিটো সুকলমে তেওঁব ঘবতে থাকিলোঁ। পাছদিনা ৩০ তাবিখে ডিমাপুবত ওপবত উদ্বিকবা মোকর্দ্দমাব বিচাবব দিন। সেই দিনা মোকর্দ্দমা নিষ্পত্তি নহল। আকৌ পিছলৈ হঁহকিল।

আবেলি লবি এখনেবে ডিমাপুবব পুবণা বাজবাবী চাবলৈ গলোঁ। বাজবাবীখনব চাবিউপিনে ইটাব গব মবা আছিল। সেই গব এতিয়া লালে লালে ভাগি-ছিগি গৈছে। এণ্টিয়েণ্ট মনুমেণ্টছ প্রিজাৰ্ভেশ্বন আইনমতে বাজবাবীখনব হাবি-বননি কাটি থাকে। বাজবাবীব ভিতবত কেবাঠাইত শ্রেণীবদ্ধভাবে ওখ শিল কিছুমান পোতা আছে। এই বিলাক নো কোন বজাই, কেতিয়া আৰু কিয় পুতিছিল তাক জানিবব কোনো উপায় নাই। কিন্তু এইটো হলে থিবাংকৈ কব পাবি যে এই বিলাক কচাবী বজাব কার্য্য। ডাক্তাব হটন ছাহাবে কয় যে কোনো কোনো নগাব ভিতবত মবা মানুহব চিন বাখিবব নিমিত্তে ডাঙব শিল একোটা পুতি থোবাব নিয়ম আছে (Vide Doctor Hutton's The Angami Nagas—Page 233)। মিঃ জে, পি, মিল্‌ছ্‌ চাহাবেও এই মত সমর্থন কবে। ইভান্স চাহাবেও তেওঁব কিতাপত লিখিছে যে আদিমবাসী অনেক মানুহবেই এই দস্তুব আছিল (Vide Studies in Religion, Folk Lore and Customs in British North Borneo and the Malay Peninsulas)। মই এই বিষয়ে কেবাজন বুঢ়া মানুহকো সুধিছিলো। তেওঁবিলাকব দুই তিনি পুৰুষ ডিমাপুবতেই আছে। কিন্তু কোনেও একো কব নোবাবিলে। বাজবাবীখনব বাহিবেও ডিমাপুবত অনেক ডাঙব ডাঙব পুখুবি আছে। এই পুখুবি বিলাকত হেনো মাছে ভবি আছে। ডিমাপুব আৰু কহিমাত মাজব বব কষ্ট। হাবিব মাজব এই পুখুবি বিলাক ভাল কবিলে ছর্কাবো

দুপইছা তিফাইত হয়, ৰায়তৰো মাছ খোৱাৰ সুবিধা হয়। কিয় যে কোনেও এই বিষয়ে মন কৰা নাই কব নোৱাৰোঁ। এই অঞ্চলত যিপিনেই চোৱা যায় সেই পিনেই কচাৰী ৰজাৰ কীৰ্ত্তি জলিব লাগিছে। যমুনা নৈ লৈকে গোটেই অঞ্চলত হেনো অনেক পুখুৰি আৰু ইটা আৰু শিলৰ বহুত ঘৰবাৰীৰ চিন আছে ডিপু ৰেল ষ্টেশ্যনৰ পৰা ১৫।১৬ মাইল মানত মিকিৰ হিল অঞ্চলৰ ভিতৰত বাবু নগেন্দ্ৰনাথ ৰায় নামে ঢাকা জিলাৰ এজন বঙালী ভদ্ৰলোকক তিনি বৰ্গমাইল মাটিৰ কয়লা, চূণ আদি উলিয়াবৰ নিমিত্তে প্ৰস্পেক্টিভ্ লিজ এখন গৱৰ্ণমেণ্টে দিছে। তেওঁ এতিয়া কাৰবাৰ আৰম্ভ কৰিছে। এই অঞ্চলৰ গোটেইখিনি ঠাই তেওঁ ফুৰিছে। সিদিনা তেওঁ মোক কৈছিল যে ঠায়ে ঠায়ে বহুত ঘৰবাৰীৰ চিন আছে। ইয়াৰ ভিতৰতে মানুহে ঘটোৎকচৰ ৰাজধানী আৰু পাণ্ডৱ অহা বাটৰ চিনো দেখুৱায়। প্ৰসিদ্ধ বীৰ তুলাৰাম সেনাপতিৰ নগৰো এই পিনেই। নগৰৰ এতিয়াও চিন-চাব আছে আৰু সেনাপতিৰ নাতি-নতিয়ানো আছে। তেওঁ যুজত ব্যৱহাৰ কৰা দুটা ৰৰতোপ যমুনা নৈৰ ওচৰত হাবিত হেনো পৰি থাকি সেনাপতিৰ অতুল কীৰ্ত্তিৰ চিনাকি দিছে। আজি প্ৰায় এশ বছৰ পূৰ্ব্বে এইজন মহাবীৰে উত্তৰ কাছাৰ পৰ্ব্বতৰ কিছু অংশ আৰু ওপৰ কপিলী উপত্যকাৰ কিছু অংশ নিজ বাহুবলেৰে দখল কৰি সেই ঠাইবিলাকৰ অধিপতি হৈছিল। ১৮৩৩ চনত যেতিয়া নগা বিলাকে উত্তৰ কাছাৰৰ কিছুমান গাওঁ লুটপাট কৰিছিল তেতিয়া দোৰ্দ্দন্ত প্ৰতাপী বৃটীছ গৱৰ্ণমেণ্টেও এইজনা বীৰপুৰুষৰ সহায় খুজিব লগাত পৰিছিল। আজি কেইজন অসমীয়াই এওঁৰ নাম জানে? এওৰ বিষয়ে কোনো পাঠকে বাহুল্যকৈ জানিব খুজিলে কাছাৰ ডিষ্ট্ৰীক্ট গেজেটিয়াৰ পঢ়ি চাব। এই অঞ্চল ভালকৈ অনুসন্ধান কৰিলে বহুত পুৰণি-কলীয়া কথা আৰু ঐতিহাসিক তথ্য প্ৰকাশ পাব। আৰু এই অঞ্চলত বহুমূলীয়া অনেক বিধৰ খনিও ওলাব পাৰে। নগেন্দ্ৰ বাবুৰ গ্ৰাণ্টৰ পৰা হেনো কম-পক্ষেও ৪০ লক্ষ টকাৰ বস্তু ওলাব পাৰে বুলি ইঞ্জি-নিয়ৰ সকলে কৈছে। অনুসন্ধান আৰু চেষ্টা কৰিলে অসমীয়ায়ো এনে ঠাই উলিয়াব পাৰে। পিছে আমাৰ অসমীয়াই এইফেৰা দুখ কৰিব নে? কিয় কৰিব? কাছাৰীৰ আৰু চাহ-বাগিচাৰ কেৰাণী মহৰী কামেনো কাক নাটিছে?

ডিমাপুৰত আৰু বিশেষ চাবলগীয়া একো নাই। এতিয়া ডিমাপুৰৰ সদৰ ঠাই হৈছে মণিপুৰ ৰোড ৰেল-ষ্টেশ্যনৰ দুইপিনে। পূৰ্ব্বে ইয়াৰ পৰা এমাইল দূৰত ধন-শিৰী নৈৰ পাৰত আছিল। লাট বাহাদুৰ ফুলাৰ চাহাবে পুৰণি ঠাইৰ পৰা অফিচ বিলাক আৰু ৰজাৰ তুলি আনি এতিয়াৰ ঠাইত পাতিলে আৰু তেওঁৰ নামেৰেই ৰজাৰখনৰ নাম ফুলাৰগঞ্জ দিলে। ডিমাপুৰ পূৰ্ব্বে শিৱসাগৰ জিলাৰ ভিতৰত আছিল। ১৯১২ কি ১৯১৩ চনত নগা হিল জিলাৰ তললৈ আহে। পূৰ্ব্বে ই এখন ভাল বেহা বেপাৰৰ ঠাই আছিল। কিন্তু আজিকালি আগৰ দিন নাই। দোকান-পোহাৰো কমিল। যি কেখন আছে সিও মুজুৰা পৰাৰ নিচিনা হ'ল। কাঠৰ কাৰবাৰী, বেঁতৰ কাৰবাৰী, লাৰ কাৰবাৰী, কপাহৰ কাৰবাৰী এটাই বিলাকেই কপালত হাত দি বহি থাকিব লগা দিন পৰিল। ১৯০১ চনত আসাম বেঙ্গল্ ৰেল খোলাৰ পূৰ্ব্বে ডিমাপুৰৰ কেঞা মহাজন বিলাকে গৰুৰ গাড়ীৰে গোলাঘাটৰ পৰা মাল-বস্তু নিছিল। তেওঁবিলাকে চিকাৰী ঘাটত জাহাজত উঠি ভাটীলৈ গৈছিল। এই কালত গোলাঘাট এখন বৰ নামজলা ঠাই আছিল। গোলাঘাটেদি নাহিলে তেতিয়া আৰু অইন কোনো ফালেদি ডিমাপুৰ বা কহিমালৈ যাবলৈ বাট নাছিল। গোলাঘাটৰ পৰা ডিমাপুৰলৈ ৫০ মাইল গৰকাপ্তানিৰ বাট। মাজত চাৰি ঠাইত আলহী থকা ঘৰ (ৰেষ্ট্ হাউছ) আছিল। সেই চাৰি ঠাই হৈছে গৰমপানী, বৰপথাৰ, নাওজান আৰু বোকাজান। গোলাঘাটৰ পৰা ধনশিৰী নৈ পাৰ হৈ পশ্চিমে ১১ মাইল দূৰত গৰমপানী। ই এখন চাবলগীয়া ঠাই। নামবৰ নৈৰ পাৰত এটি দীঘলে বহলে তিন টাঁৰ মানৰ পুখুৰি আছে। এইটোকে গৰমপানী বোলে।

ইয়াৰ পানী গৰম আৰু সকলো সময়তে উতলি ধোঁৱা বৈ থাকে। পানীৰ সোৱাদ লোণে গন্ধকে মিহলি। জাৰ কালি ইয়াত গা ধোৱাৰ সময়। ইয়াত গা ধুবলৈ বহুত দূৰৈৰ পৰা মানুহ আহে। তাত গা ধুলে খহু ভাল হয় বুলি অনেকৰ বিশ্বাস। অনেকে আকৌ এখন তীৰ্থ বুলি ভাবি গা ধোৱে। মাঘৰ বিহুৰ দিনা তাত গা ধোৱা যাত্ৰীৰ অন্ত নাইকিয়া হয়। কিন্তু বৰ দুখৰ কথা যে যাত্ৰী বিলাক থকা মেলাৰ বা গা-পা ধুই বহাৰ নিমিত্তে কোনো দিহা নাই। লোকেল বোৰ্ডে ঘৰ অকণমান কৰাই থৈছে। সিও বেৰ-ঘোৰ নাইকিয়া। তাত দোকান পোহাৰ একো নাই। যাত্ৰীয়ে খোৱাৰ সজুলি লগত লৈ যাব লাগে। যাবলৈ গোলাঘাটৰ পৰা মটৰ গাড়ী পাই। এই গৰমপানীক বুঢ়া লোকে লোণ পুং বোলে "গৰমপানী" হেনো ইংৰাজৰ দিনৰ নাম। বুঢ়া লোকে আৰু কয় যে আহোম ৰজাৰ দিনত এই পুঙৰ পৰা লোণ কৰিবলৈ দিহা কৰিছিল। পিছে নোম নাইকিয়া বলি লাগিব বুলি সপোন দেখাত এই কাম এৰি দিলে। ইয়াৰ পানী তপত। লগতে লগা নামবৰ নৈৰ পানী শিল যেন চেঁচা। গৰমপানীৰ পৰা দুমাইলমান হাবিৰ ভিতৰেদি গ'লে ফটাশিল বুলি এডোখৰ ঠাই পাই। এটা ডাঙৰ শিলৰ ওপৰৰ পৰা হো-হো কৰে পানী পৰিছে। প্ৰাকৃতিক দৃশ্য অতি মনোৰম। গৰম পানীৰ প্ৰায় যাত্ৰীয়েই ফটাশিল চাবলৈ যায়। গৰমপানীৰ পৰা ৭ মাইলত বৰপথাৰ, ইয়াৰ পৰা ১১ মাইলত নাওজান, নাওজানৰ ১২ মাইলত বোকাজান আৰু বোকাজানৰ পৰা ৯ মাইলত ডিমাপুৰ। এই বিলাক ঠাই গৰকাপ্তানিৰ বাটৰ দাঁতিয়ে দাঁতিয়ে। এই বাটটো ডিমাপুৰৰ ধনশিৰী দলংখনৰ ওচৰতে কহিমালৈ যোৱা শিল পৰা আলিত লাগিছে। আসাম বেঙ্গল্ ৰেল খোলাৰ পৰা এই বাটটোৰ বৰপথাৰৰ পৰা ডিমাপুৰলৈকে এইডোখৰৰ মেৰামতি নাইকিয়া হল। গোলাঘাটৰ পৰা ৫ মাইলত থুৰামুখগাওঁ। এইখিনিলৈকে বাটত মানুহৰ ঘৰ। থুৰামুখৰ পৰা আৰু অগাধ অৰণ্য। পূৰ্ব্বে যেতিয়া গৰুগাড়ীৰে মানুহে চলাচল কৰিছিল, তেতিয়া বহুত গাড়ী একেলগ নহলে দুখন এখন গাড়ী কেতিয়াও নগৈছিল। বাটত বাঘ, ভালুক, বনৰীয়া হাতী, মহ বিস্তৰ পোৱা গৈছিল। এতিয়া বাটৰ দাঁতিত ঠায়ে ঠায়ে নামবৰ ৰিজাৰ্ভৰ বাহিৰা ঠাইত অনেক চাহ বাগিছা হৈছে। বাটৰ দাঁতিৰ চাহ বাগিছা প্ৰায় বিলাকেই অসমীয়া মানুহৰ কিন্তু বাগিছাৰ অৱস্থা বৰ ভাল নহয়। বৰপথাৰত পূৰ্ব্বে এখন থানা আছিল। অতীজত হেনো চিপাহীও আছিল। বৰ্ত্তমান এজন চব ডিপুটী কলেক্টৰক কলনিজেশ্যন অফিচাৰ নাম দি তাত ৰাখিছে। সম্ভৱতঃ ভৱিষ্যতে তেওঁকে সকলো বিচাৰৰ ক্ষমতা দিব।

৩০ জুলাই তাৰিখে গধূলি ফুৰি চাকি আহি পাছ দিনা কহিমালৈ যাবৰ নিমিত্তে দহ টকাত এখন লৰী ৰিজাৰ্ভ কৰি থানাৰ দাৰোগাজনৰ পৰা এখন পাছ ল'লো। কহিমালৈ যাবলৈ হলে যোৱাৰ উদ্দেশ্য লিখি ডিপুটী কমিনাৰ চাহাবলৈ এখন দৰ্খাস্ত ডাকত পঠাব লাগে। যদি অনুমতি দিয়ে তেন্তে ডিমাপুৰ থানাৰ দাৰোগাৰ পৰা এখন পাছ লব লাগিব। পাছৰ ফিজ মানুহেপতি ॥০ অনা। প্ৰতি মানুহৰে পাছ 'নিছু গাৰাজত' দাৰোগাই চায়। পাছ নাথাকিলে যাবলৈ নিদিয়ে—লৰীৰ পৰা নমাই ওভোতাই পঠাই দিয়ে। সিদিনা যোৰহাটৰ এজন ভদ্ৰলোকক পাছ নোহোৱাত নিছুগাৰাজৰ পৰা ওলোটাই পঠালে। মণিপুৰলৈ যাবলৈ হলে পলিটিকেল এজেণ্ট চাহাবলৈ দৰ্খাস্ত দি অনুমতি আনিব লাগে। পলিটিকেল এজেণ্ট চাহাবৰ অনুমতি পালে আৰু কহিমাৰ নিমিত্তে পাছ নেলাগে আৰু কহিমাৰ ডিপুটী কমিচনাৰ চাহাবলৈকো অনুমতিৰ নিমিত্তে লিখিব নেলাগে। অৱশ্যে কহিমাত নামি কিছু দিন থাকিবলৈ হলে অনুমতি লাগিব। ডিমাপুৰ থানাৰ দাৰোগা এজন অসমীয়া মানুহ—নাম শ্ৰীযুত থানেশ্বৰ চুতীয়া। এওঁ এজন বৰ ভাল মানুহ। কহিমাযাত্ৰী বিদেশী মানুহৰ পাৰ্য্যমানে সুবিধা কৰিবলৈ চেষ্টাৰ কোনো ত্ৰুটী নকৰে।

ৰাতিপুৱা ৫ আৰু ৬ ৰজাৰ ভিতৰত লৰী বিলাক ডিমাপুৰৰ পৰা ৰওনা কৰে। নিতৌ প্ৰায় ১৫।১৬ খন লৰী মণিপুৰলৈ যায় আৰু মণিপুৰৰ পৰা ডিমাপুৰলৈ আহে। ডিমাপুৰৰ পৰা মণিপুৰ ১৬৩ মাইল আৰু কহিমা ৪৬২ মাইল। দুই কালৰ পৰা লৰী বিলাক গৈ মাও-থানা বুলি এডোখৰ ঠাইত লগ লাগে। মাওথানা কহিমাৰ পৰা ২০ মাইল। মণিপুৰ ৰজ্যা আৰু নগাহিলৰ এয়ে সীমা। ভাড়াৰ এলো ঠিক নাই। মণিপুৰলৈকে ১৩৩ মাইল ৰাটত এটকাৰ পৰা তিনটকালৈকে ভাড়া লয়। পূৰ্ব্বে হেনো লৰী তাকৰ থাকোঁতে মানুহে পতি ৩০৲ ৪০৲ টকাকৈ ভাড়া দৈছিল। এতিয়া আৰু সেই দিন নাই।

৩১ জুলাইৰ দিনা ৰাতিপুৱা দোক-মোকালিতে উঠি হাত-মুখ ধুই চাহ এটোপা খাই লগৰ লাহ-সাকতি কেডাল লৈ লৰা-ছোৱালী কেটাই সৈতে লৰীত উঠিলোঁ। লৰী এৰি দি অলপমান গৈ দুই মিনিটমান থানাৰ মুখত ৰ'ল। ড্ৰাইভাৰে থানাত কিবা কাকত এখন চহী কৰাই লৈ আকৌ লৰী এৰি দিলে। অলপ গৈয়েই ধনশিবিৰ দলং পালোঁ। এইখন দলং মণিপুৰ যুজৰ সময়ত সজা, দেখিবলৈ বৰ ধুনীয়া আৰু বৰ মজবুত। তাৰ পৰা দুমাইল মান গৈ ৰাটৰ বাঁওফালে এটা ডাঙৰ পুখুৰি দেখিলোঁ। এইটোৰ নাম পদুম পুখুৰী। কচাৰী ৰজাই খনোৱা বুলি কয়। ইয়াৰ পিছত লৰী গৈ নিছুগাৱাজত ৰ'ল। ডিমাপুৰৰ পৰা নিছুগাৱাজ ৮ মাইল। প্ৰায়ে সমথল, ৰাটটো কাঁৰ যেন পোন। ইয়াত এখন থানা আৰু এটা ডাক ৰওলা আছে। এই ৰওলাটোৰ পাছফালেদি ডি পুটৈ বৈ গৈছে। দেখিবলৈ অতি শুহনি। ইয়াতে নাম বৰ বিজাৰ্ভৰ অন্ত পৰিছে। ৰাটৰ ওপৰতে গেট দিয়া আছে। লৰী ৰখত দাৰোগাজনে আমাৰ পাছ চাই লৰী এৰি দিলে। ইয়াৰ পৰা আৰু কহিম লৈকে কোনো ঠাইত লৰী নৰয়। নিছুগাৱাজৰ পৰা দুমাইল মান গৈ ডিপুৰ দলং পালোঁ। এই বিনিবৰ পৰা পৰ্ব্বতৰ আৰম্ভ আৰু ওপৰলৈ উঠিব লাগে। তিনি মাইল মান গৈ আৰু এখন দলং পালোঁ। এই খনক কুকি-দলং বোলে। ইয়াতে কুকি নৈ আৰু ৰেংমাপানী নৈ দুখোন লগ লাগিছে। কুকি দলঙৰ পৰা দুই মাইল মান দূৰত ৰাও হাতে এটা ৰাট পাই। এই ৰাটে দুমাইল মান গ'লেই চামগুটীং গাওঁ। নিছুগাৱাজ আৰু চামগুটীং পোনতে ৰব নামঅলা ঠাই আছিল। এই দুই ঠাইত ইংৰাজে কোঠ মাৰি চিপাহী ৰাখিছিল। ১৮৪৬ চনত এই চামগুটীঙত ইংৰাজে কোঠ মাৰি ভোগচন্দ দাৰোগা বুলি এজন ৰবপথাৰৰ মানুহক এই কোঠৰ গৰাকী পাতি দিছিল। ভোগচন্দ দাৰোগাৰ ৰংশ পৰিয়াল এতিয়াও ৰবপথাৰত আছে। তেওঁ এজন ৰব সাহিয়াল মানুহ আছিল দেখি ইংৰাজ গৱৰ্ণমেণ্টে তেওঁক ৰব ভাল পাইছিল। নিজ বাহুবলত তেওঁ চাৰিটকালৰ নগা ৰোৱক দাই ৰাখিব পাৰিছিল আৰু তেওঁৰ নাম শুনিলে নগাওঁত ভয়ত কঁপিছিল। অসীম সাহসিকতাই তেওঁৰ মৃত্যুৰ কাৰণ হ'ল। ১৮৪৯ চনত চামগুটীঙৰ পৰা ৭।৮ মাইল মান দূৰৰ মোজেমা নামে এখন গাঁৱৰ নীলহ'লা আৰু জুবিলী নামৰ দুজন মুখিয়াল মানুহৰ মাজত কাজিয়া হয়। এই কাজিয়াত নীলহ'লাৰ ফলীয়া মানুহে জুবিলীৰ ফালৰ কেইটীমান মানুহ হত্যা কৰিলে। হত্যাকাৰী বিলাকক ধৰিবৰ নিমিত্তে কেইটীমান চিপাহী লৈ ভোগচন্দ দাৰোগা যায়। তেওঁ ভাবিছিল যে ব্ৰিটীছৰ চিপাহীৰ আগত অসভ্য পৰ্ব্বতীয়া জাতিয়ে কি কৰিব। এই বুলিহে তেওঁ সৰহকৈ চিপাহী নিয়া নাছিল। এই উদ্ভগুলি আৰু অহংকাৰেই তেওঁৰ সৰ্ব্বনাশৰ মূল হল। জুবিলীৰ ফালৰ সাতোটা মানুহ ধৰি শাস্তি দিবৰ নিমিত্তে চামগুটীঙলৈ আনোতে ৰাটতে পেফিম বুলি এডোখৰ ঠাইত দুয়ো দল মিলি ভোগচন্দ দাৰোগা আৰু তেওঁৰ চিপাহী কেজনক হত্যা কৰে। এই হত্যাৰ প্ৰতিশোধ লবৰ নিমিত্তে কিছুমান সৈন্য লৈ লেফটেনাণ্ট ভিন্সেণ্ট আৰু কেম্বেল নামে দুজন চাহাব যায় আৰু তেওঁবিলাকে মোজেমা বস্তি দখল কৰি ওচৰৰ গাঁও কেইখনমানত জুই লগাই দিয়ে। ইয়াৰ পিছৰ পৰা চামগুটীং আউট-পোষ্ট উঠি যায়।

চামগুটীঙৰ ৰাট এৰি আমি খাঁচপানী বুলি এডোখৰ ঠাই পালোঁ— ডিমাপুৰৰ পৰা ১৮½ মাইল—ওখ ১৫২৭ ফুট ইয়াত এটা ডাকৰওলা আৰু দুখৰ নে এখৰ নেপালী দেখিলোঁ। তাৰ পৰা ৯ মাইল গৈ পিফিমা নামে এডোখৰ ঠাই পালোঁ—ওখ ৩০১৮ ফুট। ইয়াতো এটা ডাকৰওলা আছে আৰু ছাব-ওভাৰছিয়াৰৰ বহা এটা, ডাক্তৰখানা এখন, এঘৰ মাৰোৱাৰী আৰু কেইঘৰ মান নেপালী আছে। খাঁচপানীৰ পৰা ৪ মাইল মান গলে আৰু ৰাট তেনেই ভয় লগা। এফালে ৰব ওখ পৰ্ব্বত, আনফালে তলি নেদেখা থিয় কোৱোঁ। যদি কেনেবাকৈ লৰীৰ Steering rod এৰাই যায় বা ব্ৰেকে নধৰা হয় তেন্তে আৰ সসাং—লৰী বা মানুহৰ চিন চাবকে নেপাব। ১৯২৬ চনত পোনৰ বাৰ যেতিয়া মই কহিমালৈ গৈছিলোঁ, তেতিয়া কহিমাৰ পৰা মোৱা আৰু মণিপুৰৰ পৰা অহা আৰু তালৈ যোৱা মানুহে কহিমাত এবাতি থাকি পাছদিনাহে যাব পাৰিছিল। এতিয়া হলে একেদিনাই ডিমাপুৰৰ পৰা মণিপুৰলৈ অহা-যোৱা কৰিব পাবে। এই বন্দবস্ত হোৱাৰ পৰা পেফিমাৰ পৰা তুলি নি মাও থানাত Crossing Station পাতে।

পেফিমাৰ ওৰিত বীণা নামেৰে তিনি বছৰীয়া নাতি ছোৱালীটীৰ হাত ভবি চেঁচা হৈ যায়। তাইৰ গা অসুখ আছিল। তাইৰ অৱস্থা দেখি মনত ৰব দুখ লাগিল। ঈশ্বৰে যি কৰে, ইয়াকে চিন্তি ড্ৰাইভাৰক লাহে লাহে মটৰ চলাবলৈ কলোঁ। তাৰ পৰা ৯ মাইল গৈ জুৱলা বুলি এডোখৰ ঠাই পালোঁ। ইয়াতো এটা ৰওলা আৰু কেইঘৰমান নেপালী আছে। জুৱলাৰ পৰা ১০½ মাইল গৈ ৰাতিপুৱা ৯ বজাত কহিমাৰ গেটত লৰী থিয় হ'ল। ইয়াত দুখন গেট আছে। এখন মণিপুৰৰ পৰা কহিমা সোমাওঁতে আৰু সিখন কহিমাৰ পৰা মণিপুৰলৈ ওলাওঁতে পাই। গেট দুখন ওচৰা-উচৰি—ডিপুটী কমিচনাৰ চাহাবৰ ৰঙলা থকা টিলাটোৰ তলতে। প্ৰায় জুৱলাৰ পৰা কহিমাৰ ঘৰ বিলাক দেখা যায়। দৃশ্য অতি মনোৰম আৰু বিতোপনীয়া। ৰাটৰ দাঁতিত কতো নগাৰ বস্তি নেদেখিলোঁ। ৰাটটো বৰ পকোৱাপকি আৰু জুৱলাৰ পৰা কহিমালৈ যাওঁতে বহুত ওপৰলৈ উঠিব লাগে। কহিমা ৪, ৭৩৪ ফুট ওখ। ৰাওঁতে পেফিমা মানৰ পৰা জাৰ অনুভৱ কৰিব পাৰি। কহিমা গেট পাৰ হৈ এক ফার্লংমান গৈ লৰী ৰখাই আমি সকলোটি নামিলো আৰু মালবস্তুও নমালো। আমি নমা ঠাইৰ নিচেই ওচৰতে শ্ৰীযুত জীবেশ্বৰ ৰবৰলৈৰ ঘৰ। তেওঁৰ ওচৰতে সোমোৱে ঠিক কৰা ঘৰটো। তেওঁ আনি আমাৰ সকলোটিকে সেই ঘৰত সুমাই দিলে। আমিও সোমালো।



গীত আৰু সুৰ-চানেকি

—শ্ৰীযুত পাৰ্থিপ্ৰসাদ বৰুৱা, বি-এ

দুকূল-ডকা ঢল,
এই দুকূল-ডকা ঢল,—
কোন সবগা ভোগজবাব
শান্তিয়নী জল ;
এই দুকূল-ডকা ঢল।
বাবে বাবে পিছলি যায় পাব,
টুল বুল টুল বুল ভুল পানীব নাও
ঢলব সোঁতাই নিয়ে উটাই
গভীব অতল ;
এই দুকূল-ডকা ঢল।

ন কঠীয়া ধান,
বান মুখব সোঁতত ভাহি
হয় যে থান-বান ;
মোব ন কঠীয়া ধান।
এতিয়াও মোব ভঁড়াল সজা নাই,
দুটি মান গুটি ধান উটি-বুবি যায় ;
ন পুবণা সাঁচতীয়া
উটাই নিয়া জল ;
এই দুকূল ডকা ঢল।

II সা সা গা মা । পধা পমা গমা গবসা I সবা গমা গাবা ।
দু কূল ড কা ঢ০ ০০ ০০ ০০ ল্ দু০ কূল্ ড কা
সা -া -া -া I পধা ধা ধা ধা । পা ধা পা মা I
ঢ ০ ০ ল্ কোন্ স ব গা ভো গ্ জ বাব্
মধা ধা পা মা । গমা গবা সবা গা I বগা বসা সগা বা
শা০ ন্তি য় নী জ০ ০ল্ এ০ ই দু০ কূল্ ড০ কা
সা -া -া -া II
ঢ ০ ০ ল্

II মা পমা গা মা । পা না সাঁ সর্বা I সাঁ -া -া ণধা
বা বে০ বা বে পি ছ লি যায় পা ০ ব মোব্
ধা ধণা সাঁ ণধা I পা ণধা পা -া । মা ধা ধা -া I
পি ছ০ লি যায় পা ০০ ০ ব টু ল্ বু ল্
পা ধা পা মা । মা পধা পা মা I গমা গবা সবা গা
টু ল্ বু ল্ ভু ০ল্ পা নীব্ না০ ০ও মো০ ব্
বগা বসা সগা বা I সা -া -া -া । া া া া I
পি ০ ছ ০ লি ০ যায় পা ০ ০ ব ০ ০ ০ ০
মা মা পা ধপা । পা -া -া -া I ধা ধা ধণা ধা
ঢ লব্ সোঁ তা ০ ০ ০ ০ ই নি য়ে উ০ টা
পা -া মা -া I মা পধা পা মা । গমা গবা সবা গা I
০ ০ ০ ই গ ভী০ ব্ অ ত০ ০ল্ এ০ ই
বগা বসা গা বা । সা -া -া -া II
দু০ কূল্ ড কা ঢ ০ ০ ল্

সা I ধসা সা সবা গা । বা গমা গবা সা I পা ধা ণা ধা
মোব নং ক ঠী০ য়া ধা ০০ ০০ ন্ বা ন্ মু খব্
পা ধা পা মা I মপধা -া পা মা । গমা গবা সবা গা I
সোঁ তত্ ভা হি হ০য় যে খা ন্ বা০ ০ন্ মো০ ব
বগা মগা বপা মগবা । সা -া -া -া I
নং ০ক ঠী০ য়া০০ ধা ০ ০ ন্
I মা পমা গা মা । পা না সাঁ সর্বা I সাঁ -া -া ণধা ।
এ তি০ য়াও মোব্ ভঁ ড়াল স জা০ না ০ ই মোব্
ধা ধণা সাঁ ণধা I পা ণধা পা -া । মা ধা ধা -া I
ভঁ ড়াল স জা০ না ০০ ০ ই দু টি মা ন্

পা	ধা	পা	মা	।	মা	পধা	পা	মা	I	গমা	গৰা	সৰা	গা
গু	টি	ধা	ন		উ	টি০	বু	ৰি		যা০	০য়	মো০	ৰ্
ৰগা	ৰসা	সগা	ৰা	I	সা	-া	-া	-া	।	া	া	া	া I
ভঁ০	ড়াল্	স০	জা		না	০	০	ই		০	০	০	০
মা	মা	পা	ধপা	।	পা	-া	-া	-া	I	ধা	ধা	ধণা	ধা
ন	পু	ৰ	ণা০		০	০	০	০		সাঁ	চ	তী০	০
পা	-া	মা	-া	I	মা	পধা	পা	মা	।	গমা	গৰা	সৰা	গা I
য়া	০	০	০		উ	টাই	নি	য়া		জ০	০ল্	এ০	ই
ৰগা	ৰসা	গা	ৰা	।	সা	-া	-া	-া	II	II			
দু০	কূল্	ড	কা		ঢ	০	০	ল্					

কঙালি বিহুৰ ওলগনি

গল্প— —শ্ৰীযুত সিদ্ধিপতি শৰ্ম্মা

গাৱঁৰ লৰা মনাই; তাৰ বাহিৰে ভিতৰ কৃত্ৰিম বা 'গিল্‌টি' কৰা বস্তু বিচাৰিলেও একো নোপোৱা। তাৰ ভিতৰখনত যদি বিচাৰি চোৱা তেন্তে তাত পাবা—গাৱঁলীয়া সৰলতা, সাধুতা আৰু নিৰ্ভীকতাৰ পূৰ্ণ বিকাশ। তাৰ অন্তৰৰ দাপোণ—মুখখনিতো তুমি সদায় এটি হাঁহিৰ মাৰ যোৱা ৰেখা বিৰিঙি থকা দেখা পাবা। তোমাৰ গল্পকাৰৰ গল্পৰ নায়কৰ দৰে মনাই ডেকা হলেও সি যৌৱনৰ সাগৰত সাঁতুৰি 'ৰূপ-ৰতন' বিচাৰি হাবা-থুৰি খাই ফুৰা নাই। ভাগ্য বিধাতাৰ দান সি সদায় হাত পাতি লৈ আছে; বিৰহ বা আন বেজাৰত হা-হুমুনিয়াহ পেলাই থকা মনাইক আজিলৈকে কোনেও দেখা নাই। তুমি যদি জানিব খোজা তাৰ কোন আছে, তেন্তে থুপতে কৈ থওঁ—তাৰ সকলোৱেই আপোন, অথচ সি মাউৰা; পিতৃ পিতামহৰ ভেঁটিত থাকি সি বাপতি সাহোন যি অলপ অচৰপ আছে, তাকে চলাই বৰ্ত্তি আছে; লগত থাকে তাৰ বুঢ়ী মাহীয়েক। তাৰ শাওঁবৰণীয়া মুখখনিতেও সদায় হাঁহি, সদায় আনন্দ। তাক এদিন মাহীয়েকে কথাই কথাই কৈছিল, "বোপাই, বাইটীৰ নাম ৰাখিবলৈ তোক ডাঙৰ দীঘল কৰিলোঁ; মোৰ কাম হ'ল; এতিয়া তোৰ ঘৰখন পাতি যমৰ হাতত জীৱটো গতাব পাৰিলেই ৰক্ষা পৰোঁ।" মনায়ে তাৰ মুখৰ হাঁহিটো অলপ বেছিকৈ বিৰিঙাই দি মাথোন কৈ থলে, "ও মাহী, মোৰ দৰে নিঠৰুৱালৈ ভূ-ভাৰতত ক'ত নো ছোৱালীজনী আছে?" বিয়াৰ প্ৰসঙ্গ ইমানতে শেষ; বিয়াৰ কথা তুলিলেই মনায়ে উৰাই দিয়া দেখি মাহীয়েকেও সেইদিনাৰ পৰা মুখত সোপা দিলে। আগৰ দৰে তাৰ দিন যাবলৈ ধৰিলে।

বছৰটোৰ চাৰিমাহ গ'ল; শেৱালিগছত শেৱালি ফুলাই, দূৰবিৰনত নিয়ৰ সৰাই আহিন আহিল; পথাৰত ৰোৱনি ধানৰ এটি দুটিকৈ ঠোক ওলাল; বিলৰ বোকা-পানী ফটিকৰ ধাৰ যেন হ'ল। লগে লগে আহিনে আগৰ চাৰিমাহৰ ভাগৰ পলুৱাবলৈ খেতিয়কক জিৰণি আনি দিলে। জিৰণিৰ ভাগ মনায়েও পালে। ঘাঁহনিত দুপৰীয়া গৰুকিটা মেলি দিলেই তাৰ মনত পৰে—জেঠৰ দেই-পুৰি নিয়া বদ আৰু শাওণত ক'লামেঘে বৰষা জাকে জাকে বৰষুণ আৰু দোকোল-দাকাল পানীৰ কথা। ভাবৰ সোঁতত মাজে মাজে ব্যাঘাত পৰে. যেতিয়া গৰুৱে জেওৰা ভাঙি ধাননিত 'অনধিকাৰ প্ৰবেশ' কৰিব খোজে। 'ঘূৰি আহ' বুলি গৰুটো ঘূৰাই আনি সি আকৌ এইবাৰ সুহুৰিয়াবলৈ ধৰে। তাৰ সুহুৰিয়ে ধাননিৰ মাজেদি ঢৌ তুলি গৈ আঁতৰৰ টিলাটোত তাৰ প্ৰতিধ্বনি তোলে। তাৰ সুহুৰিৰ মাত শুনিলেই দূৰত এটা চেঙেলীয়া লৰাই এজাক গৰু খেদাই সেইফালে আহে; তাক এজনী ছোৱালীয়ে আগ বঢ়াই আধাবাটৰে পৰা আকৌ মুখত কাপোৰ লৈ উভতি গুচি যায়। লৰাটোৰ নাম কলিয়া—চেঙেলীয়া লৰা। তাৰ বয়স ১৩।১৪ বছৰমান হব। মনাইতকৈ সৰু হলেও তাৰ মনাইলৈ বৰ মৰম; দুয়োৰে মাজত এনে মিল যেন সিহঁত সোদৰৰ ভাইহে। মনাইৰ সুহুৰি শুনিলেই সি ঘৰৰ পৰা 'গৈছোঁ ঐ ককাইটি,' বুলি ওলাই আছে। বায়েকে তাৰ লগত গৰুকিটা খেদাই লৈ আহে; আকৌ আধাবাটৰে পৰা উভতি যায়। কলিয়াৰ সেই একেজনী বায়েক—গাভৰু আদৰী; তাই আধাবাটৰে পৰা উভতি যোৱাৰ এটা কাৰণ আছে, তাইক হেনো লগৰ ছোৱালীবোৰে মনাইৰ লগত জোৰাই দিয়ে; সেই লাজতে মনাইৰ আগত ওলাবলৈ তাইৰ ইমান লাজ। আনকি মনাইক আঁতৰত দেখিলেও মুখত কাপোৰ দি লৰ মাৰে। এদিন হেনো মনায়েও তাইৰ লাজৰ বাবে তাইক "লাজুকী বন" বুলি ঠাট্টা মস্কৰা কৰিছিল। কলিয়াই এনেকৈয়ে সদায় মনাইৰ সুহুৰি শুনি বায়েকে সৈতে গৰু লৈ আছে; গৰুজাক ঘাঁহনিৰ ফালে খেদাই দি সি মনাইৰ লগ লাগেহি; আদৰীয়ে মনাইক ছাঁ দিয়া গছ জোপাৰ সেউজীয়া পাতখিনিৰ ফালে এবাৰ কেৰাহিকৈ চাই ঘৰমুৱা হয়। মনায়ে বোধকৰোঁ প্ৰতিশোধ লবৰ মনেৰেই আদৰী যোৱা আলিবাটটোৰ ফালে তবধ লাগি চাই থাকে। কলিয়াই মনাইৰ লগত বহি গাৱঁৰ নতুন নতুন খবৰ দিয়ে, ৰং-ধেমালি কৰে, খং-ৰোহ কৰে, কেতিয়াবা দুয়ো কিবা ভাবি মনে মনে থাকে। মাজে মাজে নিস্তব্ধতা ভঙ্গ কৰি কলিয়াই গুৱলাকৈ জাত লগাই নাম ধৰে। সি সঁচাকৈয়ে ভাল গাব পাৰে; নোৱাৰিবই বা কিয়? তাৰ বাপেক ভোলাই গায়নক নো সেই অঞ্চলত কোনে নেজানে? কথাতে কয় নহয়, বোলে "গায়নৰ ঘৰৰ বোন্দায়ো ৰাগ দিয়ে।"

আহিন শেষ হয়হিহে লাগে। পথাৰৰ ধানৰ ঠোক, দুপৰীয়াৰ বদৰ ভমক্ আৰু ৰাতিপুৱা-গধূলিৰ কুঁৱলীৰ ছাটিয়ে কাতিৰ কঙালি বিহুলৈ মনত পেলাই দিছে। এদিন আগৰ দৰে গৰু ৰখি থাকোঁতে মনায়ে কলিয়াক ক'লে,—"কঙালি বিহুৰ বাবে মই তোক ইবাৰ এটা বঢ়িয়া মুৰলী সাজি দিম। কঙালি ককায়েৰৰ নো আৰু কি আছে?" কলিয়াই মাথোন কৈ থলে, "ককাইটি, মই কঙালি বিহুৰ ওলগনি তোমাক যিহে দিম! চাবা, তোমাৰ মনে-চিতে খাই যাব।" মনায়ে এটা ভাগৰৰ হুমুনিয়াহ পেলাই উত্তৰ দিলে, "মই যি বিচাৰোঁ তাক তই জানো দিব পাৰিবি? মোক কি লাগে তইনো কেনেকৈ জানিছ?" কলিয়াই কিবা ভাবি কয়,—"যি পহু মাৰিবা বনত, যি কথা ৰাখিবা মনত।" এইদৰে কোৱা-মেলা কৰি উঠি দুয়ো বহুপৰ মনে মনে থাকিল; তাৰ পাছত কলিয়াই জাত লগাই গাবলৈ ধৰিলে—"এ চান্দমুখ এ, এ পদমুখ এ

হ্ৰদে পৰি শিৰে চৰি দমিলাহা কালী।"

কাইলৈ সংক্ৰান্তি - কাতিবিহু ঘৰে ঘৰে কঙালি বিহুলৈ কঙালি অৱস্থাৰে সকলোৱে যো যা কৰিছে। ভোলাই গায়নৰ ল'ৰাছোৱালী আদৰী কলিয়াৰ ভিতৰত কিবা ফুচ্‌ফুচীয়া মেল বহিছে। কলিয়াই ডাঙৰকৈ

'কোবৌটি কৰিছোঁ বাইটী' বুলি ফুচ্‌ফুচাই কিবা কৈছে। আদৰীয়ে ৰঙা পৰি উঠে আৰু কয়,—"কটা নিলাজটো"। তাহাঁতৰ মেলৰ শেহত কলিয়াই বধ-শপত দি ক'লে, "তই কৰিবই লাগিব বাইটী! মোৰ মূৰকে খাব" একেটা ভায়েকৰ অমঙ্গলৰ কথা ভাবি চেনেহী আদৰীৰ বুকু শিয়ৰি উঠিল; তেও নিজৰ মান ৰাখিবলৈ মাকক গোচৰ দিলে, "দেখিছনে বৌটি ইয়ালৈ? কিবাকিবিখন কৈ আকৌ মোক শপত দিছে।" মাকেও তাহাঁতৰ খৰিয়ালৰ অন্ত পেলাই আদৰীক ভিতৰলৈ হাত ধৰিবলৈ মাতি নিলে। সেইদিনা ৰাতি বহুত পৰলৈকে আদৰীয়ে বিধে বিধে পিঠা ভাজিলে; মাকে শুবলৈ মাতোঁতে ক'লে—"বৌটি, আজি মোৰ টোপনি নাহে।" মাকে ভাবিলে—'ভাল বিহু-পাগলী হ'ল ছোৱালীজনী'।

ইফালে মনায়ে ঘৰত মুৰলী সজাত লাগি আছে। কাইলৈ বিহুৰ বাবে কলিয়াক মুৰলীটো যে দিবই লাগিব! এনেতে পদূলি মুখত কলিয়াই মাত লগালে, "ককাইটি অ', অলপ ওলাই আহাচোন।" মনাই ওলাই আহিলত কলিয়াই ক'লে, "কাইলৈ এখন্তেক গৰখীয়া পথাৰৰ ঘাঁহনিখনৰ ফালে যাবাচোন। দহোকুৰি যাবা দেই"। কলিয়াই আগেয়েই জানে যে কোনোবাই কিবা কয় বুলি মনায়ে গায়নৰ ঘৰলৈ পাৰোঁতে নাযায়। কলিয়া যোৱাৰ পাছত মনায়ে ভাবিলে মুৰলীটো লৈ তাতেই তাক দি থৈ আহিবগৈ। দুয়োটা কাম হব—আইৰো বাৰ্ত্তা, গঙ্গাৰো যাত্ৰা।

আজি কাতি বিহু। ৰঙালি বিহুৰ বাংঢালি ৰং আৰু ভোগালি বিহুৰ চৰম তৃপ্তি কঙালি বিহুত নাথাকিলেও কঙালি বিহুৱে আজি যেন দুখী-সুখীৰ মাজত এটি মিলনৰ ভাব জগাই দিছে। বেলি ভাটী দিওঁ দিওঁ হওঁতেই মনায়ে হাতত মুৰলীটো লৈ কলিয়াক লগ ধৰিবলৈ ওলাল—মনটো তাৰ যেন চিন্তাত গধুৰ। সি আহি ঘাঁহনিখন পালে। এই ঠাইখনৰ নাম গৰখীয়া পথাৰ। এই পথাৰৰ ঘাঁহে ঘাঁহে কিমান গৰখীয়াৰ খোজ পৰি আছে, কিমান বনঘোষাৰ সুৰ লুকাই আছে তাৰ কি সংখ্যা আছে? মনায়ে বৈ আছে, কলিয়াৰ শুংসূত্ৰই নাই। সি ভাবিলে, কলিয়াই কি কৰিলে? বৈ আমনি লাগি মুৰলীটোৰ মাত কেনে হৈছে চাবলৈ বুলি সি বজাবলৈ ধৰিলে। মুৰলীৰ সুৰে নিস্তব্ধতাৰ মাজত ঘূৰি ঘূৰি প্ৰতিধ্বনি তুলিবলৈ ধৰিলে। বহুপৰ হল, তেওঁ কলিয়া নাই। আমনি লাগি মনাই কলিয়াইতৰ ঘৰৰ ফালে যাবলৈ থিয় হল; এনেতে পাছফালে দেখে—আদৰীয়ে হাতত এটা টোপোলা লৈ থিয় হৈ আছে মনায়ে ভাবিলে—ই আকৌ কি? অলপ পৰ বৈ এটা মিচিকিয়া হাঁহি মাৰি সুধিলে, "আহিব লাগিছিল কলিয়া, আহিলি দেখোন তই! হাতৰ সেইবোৰ কলৈ নিয়?" আদৰীয়ে নামাতি পুতলাটোৰ দৰে থৰ্ লাগি থকা দেখি মনায়ে আকৌ সুধিলে, "মই বিহুৰ বাবে এটা মুৰলী কলিয়ালৈ সাজি আনিছোঁ, কলিয়াই হ'লে মোক দিওঁ বুলিও একোকে নিদিলে।" ইবাৰ আদৰীয়ে টোপোলাৰে সৈতে তাইৰ ল-নি হাতখন আগবঢ়াই দিলে; মনাইৰ কলিয়াই কোৱা সেই 'কঙালি বিহুৰ ওলগনি'ৰ কথা মনত পৰিল। আদৰীৰ হাতখনত ধৰো-নধৰোঁকৈ ধৰি টোপোলাটো লৈ কলে, "আদৰী কলিয়াই আজি বিহুৰ বাবে মোলৈ একো নানিলে; তই আহিলি, ভাল কৰিলি। আজি বছৰৰ কঙালি বিহুত মই কঙালিয়ে তোক এটা কথা সোধোঁ; কচোন, মই তোক পাম নে?" আদৰীয়ে টোপোলাটো মেলি পিঠা আৰু থুৰিওৱা তামোলৰ টোপোলা দুটা মনাইৰ হাতত দিলে; তাইৰ মুখখনি সেন্দুৰী হল; চকুজুৰিত দুটোপা চকুলো ওলাল। মনায়ে বুজিলে; আদৰীক বুকৰ মাজত সুমাই লৈ তাইৰ তপত গাল দুখনিত চুমাৰ বৰষুণ বৰষিলে। এনেতে আঁতৰত কলিয়াই মাত লগালে, "ককাইটি ঐ, মই কৈছিলোঁ নহয় তোমাৰ মনে চিতে খাই যোৱা এটা বস্তু দিম বুলি। মই দিব খোজা কঙালি বিহুৰ ওলগনি এয়ে। মুৰলীটো বাৰু পাছেকৈও নিম" আদৰী-মনায়ে উচপ্ খাই উঠোঁতেই কলিয়া আকৌ থিতাতে নাইকিয়া হ'ল। মনায়ে আদৰীৰ ফালে চাই এটা লাজুকীয়া হাঁহি মাৰি ক'লে, "ভাল কথাটো হ'ল!"

বিশ্ব প্ৰৱাহ

পৰলোকত টমাছ এডিচন

পৃথিবীৰ সবাতো শ্ৰেষ্ঠ আবিষ্কাৰক আৰু বৈজ্ঞানিক পণ্ডিত টমাছ এ. এডিচনৰ পৰিচয় অনাৱশ্যক। জগত



টমাছ আলফা এডিচন

জুৰি তেওঁৰ পৰিচয় বিয়পি আছে। আৱাহন পঢ়ুৱাসকলক আমি একাধিকবাৰ এই বিজ্ঞানযাদুকৰৰ লগত চিনাকি কৰি দিছোঁ।

১৮৪৭ খৃঃত এডিচন মিলানত ওপজে। তেওঁৰ সাতবছৰ বয়সত তেওঁৰ পৰিয়াল গ্ৰেটিয়টলৈ (মিচিগান) উঠি যায়। গৃহযুদ্ধ (civil war)ৰ সময়ত চফল ডেকা এডিচনে হাৰণ আৰু ডেট্ৰিয়টলৈ অহাযোৱা কৰা ৰেলে ৰেলে বাতৰি-কাকত বেচি ফুৰিছিল। তেওঁ এটা ছাপাখানা পাতি "সাপ্তাহিক হেৰাল্ড" নামে সাদিনীয়া বাতৰি-কাকত এখন ছপাইছিল। কাকতখনৰ সকলো কাম তেওঁ অকলে কৰিছিল।

লাহে লাহে এডিচনৰ প্ৰতিভা বিকাশ হবলৈ ধৰে আৰু বৈজ্ঞানিক হিচাপে তেওঁৰ খিয়াতি অতুল হয়। তেওঁ সকলোবোৰ আবিষ্কাৰ পেটেণ্ট কৰি লয় আৰু এইদৰে এহেজাৰৰো বেছি আবিষ্কাৰ পেটেণ্ট কৰা হয়। এডিচনৰ ২২ বছৰ বয়সত তেওঁৰ পোন-প্ৰথম আৱিষ্কাৰ ১৮৬৯ খৃঃত পেটেণ্ট কৰা হয়। যন্ত্ৰমায়াবী এডিচনৰ যন্ত্ৰৰ পেটেণ্টেই হব চাৰিশৰো ওপৰ। এই যন্ত্ৰবোৰ অতি লাগতিয়াল। পৃথিবীৰ ইমূৰ-সিমূৰ জুৰি এই যন্ত্ৰবোৰৰ ব্যৱহাৰ চলিব লাগিছে। বিজুলী পোহৰ, ৰেমিংটন টাইপ্‌ৰাইটিং যন্ত্ৰ, ফনোগ্ৰাম ইত্যাদি সমুদয় এডিচনৰ আবিষ্কাৰ। অকল আমেৰিকাত নহয়, গোটেই দুনিয়াত এডিচনৰ দৰে কোনো আৱিষ্কাৰক ওলোৱা নাই আৰু নাছিল। তেখেতৰ মৃত্যুত জগতৰ শ্ৰেষ্ঠতম বৈজ্ঞানিক এজনৰ আসন শূন্য হ'ল। বৈজ্ঞানিক আৱিষ্কাৰ সমূহে মিঃ এডিচনক চিৰকাললৈ অমৰ কৰি ৰাখিব।

কাশ্মীৰত বাদামগুটিৰ খেতি

কাশ্মীৰ উপত্যকা বাদাম খেতিৰ কাৰণে বিখ্যাত। বাদামৰ খেতি নোহোৱা গাওঁ কাশ্মীৰত পাবলৈ নাই। বাদামগুটিবোৰ এতিয়া পকিছে আৰু গঞাসকলে তাক যত্নেৰে চপাব ধৰিছে। বাদামগুটি পকিব ধৰিলে শ্ৰীনগৰৰ



ডাঙৰ-সৰু বাছি বাদাম জুখিব ধৰিছে

পৰা বেপাৰীবিলাক বাদামগুটি কিনিবলৈ যায় আৰু উপত্যকাৰ সুবিধাজনক মাজঠাইবোৰত বাহ বান্ধি থাকে। খেতিয়কসকলে বেপাৰী থকা ঠাইলৈ বাদামগুটিবোৰ বেচিবলৈ লৈ যায় আৰু শতকৰা দৰত বেচি আহেগৈ। বাদামগুটিবোৰ ওপৰৰ চোকোৱাবোৰ সৈতে বেচা হয়। পিছত, চোকোৱাবোৰ একৰাই ধুই নিকা কৰি লোৱা হয় আৰু জুখি কাঠৰ বাকচত ভৰাই মটৰ লৰীৰে বাৰলগিণ্ডি বা জন্থুলৈ পঠাই দিয়া হয়। তাৰেপৰাহে বেলগাড়ীদি ভাৰতৰ সকলো ঠাইলৈ বাদামগুটি পঠোৱা হয়। বাদাম খেতি এটা বৰ লাভজনক ব্যৱসায়। বাদাম গছৰ বা গুটিৰ কোনো অংশ পেলনি নাযায়। বুঢ়া বাদামগছ মৰি গলে তাক শ্ৰীনগৰৰ কাৰখনালৈ কাককাৰ্য্যৰ বাবে নিয়া হয়। বাদামৰ আনকি ওপৰৰ সেউজীয়া চোকোৱা ডোখৰো কামত আহে। শ্ৰীনগৰৰ কাঠমিস্ত্ৰীবোৰে সেই-বোৰ কিনি নি কামত খটুৱায়। নমৰিলে কোনো বাদাম গছ কাটিবলৈ হুকুম নাই। বাদামগছ প্ৰতিডালৰ বাবে ॥০ অনাকৈ বজাঘৰত কৰ শোধিব লাগে।

প্ৰকাণ্ড শিং

এই ছবিত দেখা গৰুটো হাম্পিদেশৰ। তাৰ শিং ভয়ঙ্কৰ ডাঙৰ। আমাৰ দেশত সচৰাচৰ এনে ডাঙৰ শিং দেখিবলৈ পোৱা নাযায়। হাম্পিদেশৰ এই গৰুটোৰ শিংজোৱা আগলৈ আগবাঢ়ি ওলোৱা নহয় নাইবা ওপৰলৈ উঠাও নহয়। ই গাত লগাকৈ পাছৰ ফালে বাঢ়ি আহিছে।



হাম্পিদেশৰ প্ৰকাণ্ড গৰুৰ শিং

১৫২ বছৰীয়া তিৰোতা

পৃথিবীৰ সবাতো বয়সিয়াল ছজন মানুহৰ নাম আমি আগেয়ে পাইছোঁ। প্ৰথম, চীনদেশৰ মিঃ য়ু, ছিন্ লিং



মিচেছ শ্লাভ্‌কা মটৱা

—বয়স ২৫২ বছৰ। দ্বিতীয়, তুৰস্কৰ জাৰো আথা—বয়স ১৫৬ বছৰ। এতিয়া বুলগেৰিয়া দেশৰ আৰু এজনী তিৰোতাৰ বয়সৰ কথা জানিব পৰা গৈছে। তেওঁৰ নাম মিচেছ শ্লাভ্‌কা মটৱা। তেওঁৰ এতিয়া ১৫২ বছৰ বয়স হৈছে আৰু এতিয়াও তেওঁ কাম কৰিব পৰা শক্তি হেৰুৱা নাই।

সুবাটৰ পাৰ্চী ফায়াৰ টেম্পল্

বোম্বাই প্ৰদেশৰ সুবাটত পাৰ্চী সম্প্ৰদায়ৰ এটা বৰ ডাঙৰ মন্দিৰ আছে। এই মন্দিৰটো পুৱণিকলীয়া আহিৰে সজা আৰু সি সেইদৰেই আছিল। সম্প্ৰতি এই মন্দিৰটো আধুনিক উন্নত প্ৰণালীৰে বিভোপনীয়াকৈ সংস্কাৰ কৰা হৈছে। মন্দিৰৰ কাঁথি আৰু চালিবোৰ নিভাঁজ পাটীৰ

আহিৰে সজোৱা হৈছে। পাৰ্চী শিল্পকলা পৃথিবীৰ অন্যতম লেখৰ শিল্পকলা। এই মন্দিৰটো দেখিবলৈ এতিয়া অতি সুন্দৰ হৈ উঠিছে। বোম্বাইৰ শিল্পী মিঃ মিস্ত্ৰী আৰু



সুবাটৰ পাৰ্চী ফায়াৰ টেম্পল্

ভেদাৰাৰে মন্দিৰটোৰ সংস্কাৰ কাৰ্য্য সাধন কৰি যশস্বী হৈছে।

মহাত্মা গান্ধীলৈ ছাগলীৰ গাখীৰ

লণ্ডনত ছজনী তিৰোতা মানুহে গান্ধীৰ যোগোৱা কাৰবাৰ এটা চলাইছে। তাৰপৰা মহাত্মাৰ কাৰণেও ছাগলীৰ গাখীৰ যোগোৱা হয়। তিৰোতা ছজনীয়ে ছজনী ছাগলী মহাত্মাৰ কাৰণে খীৰাৰ ধৰিছে।



মহাত্মা গান্ধীৰ কাৰণে ছাগলী খীৰাৰ ধৰিছে

মাটিৰ তলত মানুহৰ বাসস্থান

পুৱণি কালত মানুহে যে মাটিৰ তলত বাস কৰিছিল, সেই কথা বিশ্বাস কৰিবলৈ আজিকালিও অনেকে টান পায়। কিন্তু ইয়াত আচৰিত হবলগীয়া একো নাই। পুৱণি কালতহে নালাগে, আজিকালিও মানুহ মাটিৰ তলত গাত খানি আছে। উত্তৰ আফ্ৰিকাত এটলাছ নামে এশাৰী পৰ্ব্বত আছে। সেই পৰ্ব্বতৰ গাতত পঁজাঘৰ সাজি ১২ হাজাৰ মানুহ আছে। সিহঁত থকা ঠাইডোখৰক



মাটিৰ তলত থকা মানুহৰ পঞ্জাঘৰ

মটামটা বোলে। ঠাইডোখৰে তিন বৰ্গমাইলমান জুৰিছে। গোটেই ঠাইডোখৰতে ঘুৰণীয়া সুৰঙা আছে। সেইবোৰ ১২-১৫ ফুট দ। সেই গাঁতবোৰত খাপ কটা আছে। তাৰে মাটিতলীয়া নগৰখনলৈ যাব পাৰি। তাত কটুৰ মাটি খানি খোঁটালৈবোৰ কৰা হয়। তাৰপৰাহে বাসীবিলাক Climbing Troglotytes বোলা হয়।

হংকঙৰ বানপানী

অসময় দৰে হংকঙলৈ বানপানীয়ে ধুৱাই পেলাইছে।



হংকঙৰ বানপানীৰ এটি দৃশ্য

অসমত বানপানীয়ে অসমীয়া বাইজক নাপল-নাজল কবাব কৰুণ দৃশ্যবোব 'আৱাহনে' দেখুৱাই আছিছে। হস্কৌৰ বানপানী ৫৫ ফুটবো ওপৰলৈ উঠিছিল। হস্কৌৰ বাহিবে বানপানীত হাজাৰ হাজাৰ প্ৰাণীৰ জীৱন নাশ হৈছে আৰু কোটী কোটী টকা নষ্ট পাইছে।

আমেৰিকালৈ মহাত্মা গান্ধীৰ বাণী প্ৰেৰণ

২য় বাউণ্ড টেবোল কনফাৰেন্সলৈ যোগ দিবলৈ সাওঁতে ইংলণ্ড পাইহে মহাত্মাই আমেৰিকালৈ বাণী এটা পঠায়। বাণীটো বেডিওৰ সহায়েৰে পঠোৱা হৈছিল। ইংৰাজ সকলক সেই বাণীটো শুনিবলৈ দিয়া হোৱা নাছিল। ছবিত দেখা এই মানুহবিলাক আমেৰিকা প্ৰবাসী ভাৰতীয় মানুহ। তেখেত সকল আমেৰিকাৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্য। মহাত্মা গান্ধীয়ে পঠোৱা বাণী তেখেতসকলে বেডিওবপবা শুনিব ধৰিছে।



আমেৰিকাপ্ৰবাসী কংগ্ৰেছৰ সদস্য ভাৰতীয়সকলে বেডিওত মহাত্মা গান্ধীৰ বাণী শুনিব ধৰিছে

তুৰ্কী ভাষাৰ অভিধান সঙ্কলন

ইমান দিনলৈকে তুৰস্কৰ ৰাজকীয় ভাষা আছিল আৰবী। এতিয়া তাত আৰবী ভাষাৰ সলনি নতুন ভাষা এটা সৰজিবলৈ দিহা চলিছে। নতুন ভাষাৰ অভিধান এখন ৰচনা কৰি উলিয়াবলৈ এটা কমিটি নিয়োগ কৰা হৈছে। নতুন ভাষা উলিয়াবলৈ ডুবৰডমান হ'ল; কিন্তু আজিলৈও অভিধান সংকলন কৰা কাম সম্পূৰণ হোৱা নাই। 'এ'



ৰোষাহত মাইনাসকলৰ পিকেটিং

আখৰ আদিত থকা শব্দ জোঁটনি শেষ হৈছে আৰু 'ৰি' আখৰ আদিত থকা শব্দ হেনো পাঁচ হাজাৰতকৈ বেছি। যেনেদৰে কাম চলিছে বৰ্ণমালাৰ ২৯টা আখৰৰ শব্দ জোঁটাওঁতে ৮০ বছৰমান সময় লাগিব। অভিধান ৰচক সকলে নন-নন শব্দ উলিয়াব ধৰিছে আৰু গৱৰ্ণমেণ্টেও হেনো সেইবোৰ শব্দ ব্যৱহাৰ কৰিবলৈ 'জেদ' পাতিছে। এনে কথাত কবি, লিখাসকলৰ অসুবিধাত পৰিছে। তুৰস্কৰ 'বজেট' আলোচনাৰ সময়ত ভাষা সৃষ্টি বিষয়ক কমিশনৰ আৱশ্যক নাই বুলি এটা প্ৰস্তাৱ গৃহীত হৈছিল। এই কাৰণে কেদিনমানলৈ অভিধান লিখা কাম স্থগিত আছিল। এতিয়া কৰ্ত্তৃপক্ষে নতুন কমিটি নিয়োগ কৰিবলৈ পাতিছে আৰু যাতে অভিধানৰ কাম সোনকালে শেষ হয় তাৰ দিহাযুগুতি কৰিব ধৰিছে।

প্ৰাচীন বেবিলনৰ দলিল

তলৰ ছবিখনি প্ৰাচীন বেবিলনৰ মাটিৰ ওপৰত খোদাই কৰা দলিলৰ ছবি। বেবিলনৰ ধ্বংসাৱশেষৰ পৰা অলপতে তাক খানি উলিয়া হৈছে। তেতিয়া কাকতৰ প্ৰচলন নাছিল, সেইবাবে টান মাটিৰ ওপৰত এইদৰে লিখি থোৱা হৈছিল।

এইখন এখন মাটি বেচা দলিল। বিশেষজ্ঞসকলে ইয়াক পঢ়ি কৈছে যে ইয়াত এই কথা লেখা আছে „আন্না



বাবিলনৰ দলিল

ইদাহুন তেওঁৰ দ্বিতীয় নাম ছমকি আছু। তেওঁ আছৰ ইষ্টাৰ গেট নামে ঠাইৰ বিলাস-উদ্যানখন সুৰৰ ওচৰত চিৰকাললৈ বিক্ৰী কৰিছে। যদি ভবিষ্যতে কোনোৱে এই মাটি দাবী কৰে, তেনেহলে বেচোঁতাক তাৰ বাৰ গুণ দাম ক্ষতিপূৰণ স্বৰূপে দিব লাগিব।"

দলিলখনৰ পাছৰ ফালে বাবজন সাক্ষীৰ নাম দস্তখত কৰা আছে।

ভাৰতীয় বনবিভাগৰ চমু বিবৰণ

আগ্ৰা অযোধ্যা যুক্তপ্ৰদেশৰ ডেৰাডুন ভাৰতীয় বন-বিভাগৰ ৰাজধানী। বনবিভাগে কেনেকৈ দোপতদোপে উদাই গ'ল তাৰ চমু বুৰঞ্জী এই। ১৮১৪-১৫ খৃষ্টাব্দ নেপালৰ লগত বুটীছ গৱৰ্ণমেণ্টৰ এখন যুঁজ লাগে। সেই যুঁজত বুটীছ গৱৰ্ণমেণ্ট জিকে আৰু ডুনবপবা গুৰ্খাবিলাকক খেদি দি জিলাখন বুটীছ ৰাজাৰ ভিতৰলা কৰি লোৱা হয়। ডুন উপত্যকাত নানাবকমৰ বিস্তৰ কাঠ পোৱা যায় জিলাখন লৈ, আগৰ গাবোৱালী ৰজাৰ দবে, ইংৰাজেও কাঠনিবোৱ বছবি বছবি নীলামত দি বেচে। কিন্তু এই নীতিটো নানা কাৰণে গৱৰ্ণমেণ্টৰ মনে খোৱা নোহোৱাত ১৮৫৫ খৃষ্টাব্দত বনবিভাগ এটা স্থাপন কৰা হয়। কিন্তু এই বন-বিভাগৰ পবাও ডুনৰ কাঠনিবোৱৰ কাম চলোৱাত কোনো সুবিধা নহ'ল। ডুন উপত্যকাৰ কাঠনি-বোৰ কেনেকৈ চলাব পাৰি, তাকে তন্ত কবিবলৈ, ১৮৬৪খৃষ্টাব্দত এটা কমিশন বহুৱা হয়। কমিটীৰ নায়ক আছিল মিবাট ডিভিজনৰ কমিশনাৰ মিঃ এফ, উইলিয়ামছ, ছি-এছ-আই। এই কমিটীৰ নিৰ্দ্দেশমতে ১৮৬৮ চনত বন-আইনখন পাছ কৰা হয়। সেই বছৰতে ডাঃ ব্ৰেণ্ডিছ নামে ছাহাব এজনে ডেৰাডুনত ফৰেষ্ট স্কুল এখন পাতিবলৈ গৱৰ্ণমেণ্টলৈ কেতবোৰ প্ৰস্তাৱ পঠায়। ১৮৮১খৃষ্টাব্দত থিওবিটিকেল কোৰ্ছ আৰম্ভ কৰা হল। শিক্ষক আছিল ডাঃ ব্ৰেণ্ডিছ, ডাঃ ব্লীচ (Schlich) আৰু ব্লাৰ্থ। তাত কেৱল ফৰেষ্টাৰ আৰু বেঞ্জাৰবহে শিক্ষাৰ বন্দবস্ত আছিল। শিক্ষাকাল দুবছৰ আছিল। ১৮৮৪খ্ৰীঃত ফৰেষ্ট স্কুল গুচাই তাৰ নাম ইম্পাৰিয়েল ফৰেষ্ট কলেজ কৰা হল আৰু তাত প্ৰাদেশিক গ্ৰেডৰ চাকৰিৰ কাৰণে ছাত্ৰৰ শিকাবলৈ লগে। কলেজৰ ভাব-প্ৰাপ্ত চাকৰিয়ালজনক প্ৰেছিডেণ্ট বোলা হৈছিল। তেৱেঁই



ডেৰাডুনৰ ইম্পিৰিয়েল কলেজ আৰু বিচাৰ ইনষ্টিটিউট

কলেজৰ অধ্যক্ষ স্বৰূপে কাম কৰিছিল আৰু বনবিভাগৰ ইন্সপেক্টৰ জেনেৰেলো আছিল। ১৯০৬ খ্ৰীঃত কলেজৰ লগতে বিচাৰ ইনষ্টিটিউটো খোলা হয়। ইও প্ৰেছিডেণ্টৰ তলে। লগে লগে তাত ফৰেষ্ট মিউজিয়ম বা যাদুঘৰো এটাও স্থাপন কৰা হয়। কলেজ আৰু বিচাৰ ইনষ্টিটিউটটো ডেৰাডুনৰ পণ্টনীয়া ছাউনী চান্দবাগত পতা হৈছিল। ইম্পিৰিয়েল ফৰেষ্ট কলেজ আৰু বিচাৰ ইনষ্টিটিউটৰ কাৰণে নতুনকৈ ঘৰ সাজি যোৱা বেলি নবেম্বৰ মাহত বৰলাট ৰ্ড আৰ্ইনে সেই ঘৰ মুকলি কৰে আৰু তাকেই ভাৰতীয় বনবিভাগৰ ৰাজধানী পাতি লৈছে। নতুনকৈ কলেজ পত ঠাই ডোখৰৰ নামকৰণ কৰা হৈছে 'নিউ ফৰেষ্ট' বুলি। চক্ৰতা নামে ডাঙৰ ৰাজ আলি এটাৰ সমুখত কলেজখন পাতিছে। এই চক্ৰতা আলিয়ে ডেৰাডুন আৰু পৰ্ব্বতায় ছাউনী চক্ৰতাক লগ লগাইছে।

পুৰণি চহৰৰ ধ্বংসাৱশেষ

কেইমাহমান আগেয়ে আমেৰিকাৰ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ অধ্যাপক জে, ফেজলি স্মিয়াৰে প্ৰাচীন এথেন্সৰ পাৰ্থিনন চহৰৰ এখন ৰজাৰ ধ্বংসাৱশেষ খনি উলিয়াইছে। গোটেই চহৰখন এতিয়াও খনি উলিয়া হোৱা নাই, কাৰণ এই কাম সম্পূৰ্ণ কৰোঁতে প্ৰায় দহ বছৰ সময় লাগিব। আমেৰিকাৰ চল্লিশখন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰফেছৰ স্মিয়াৰক এই কামত সহায় কৰিছে।

বৰ্ত্তমানে যিডোখৰ ঠাই খনি উলিয়া হৈছে, তাৰ লগত বহুত ঐতিহাসিক ঘটনাৰ সম্বন্ধ আছে। এই ঠাইত এসময়ত বহুত দোকান-পোহাৰ আছিল আৰু নিতৌ হেজাৰ হেজাৰ মানুহ গোট খাইছিল। শুনা যায়, বিখ্যাত এপিচিছৰ ছবিবোৰ ইয়াতেই দেখুৱা হৈছিল। ঐতিহাসিক সকলে কয় যে খৃষ্টপূৰ্ব্ব পঞ্চম শতিকাত ইয়াতে আলেকজেণ্ডাৰৰ লগত ডায়োজিনিছৰ সাক্ষাৎ ঘটে। প্ৰাচীন গ্ৰীছৰ ইতিহাসত এই ৰজাৰ বিষয়ে বহুত কথা লিখা আছে। অনুসন্ধান কাৰ্য্য আৰু কিছু আগুৱাই গ্লেটো, ছক্ৰেটছ আদি পণ্ডিতসকলে যি ঠাইত বহি জ্ঞান সাধনা কৰিছিল, তাৰো অনুসন্ধান পোৱা যাব। এই অনুসন্ধানৰ বাবে আমেৰিকাৰ বিশ্ববিদ্যালয়বোৰে এলাখ ডলাৰ অৰ্থাৎ প্ৰায় ৩৬০০০৲ টকাৰে সহায় কৰিছে।



পুৰণি এথেন্সৰ পাৰ্থিনন নগৰৰ ধ্বংসাৱশেষ



কোচবেহাৰৰ বৰ্ত্তমান নাবালক ৰজা শ্ৰীজগদ্দীপেন্দ্ৰ নাৰায়ণ আৰু তেওঁৰ সক ভায়েক



বৰ্ত্তমান মহাৰজাৰ তিনিও ভনীয়েক

অশোক-বন

—রায় বাহাদুর শ্রীযুত আনন্দ চন্দ্র আগরওয়ালা

আমার দেশের অনেক লোকে কলিকতার ইডেন্ গার্ডেন্ দেখিছে। কোনো কোনো লোকে সেই উদ্যানের শোভা দেখি তাক বর্ত্তমান কালের এখন অশোক-বন বুলিব খোজে। অতি পুরণি কালত, এনেকি ত্রেতাযুগতো, রাজচক্রবর্ত্তী রাজাসকলর রাজধানীত অশোকবন বা প্রমোদ কানন থকার কথা রামায়ণ, মহাভারত আরু পুরাণাদিত পোরা যায়। লঙ্কাধিপতি রাবণে সীতাক হরি নি তেওঁর অশোকবনত বন্দী করি থৈছিল। রঘুপতি রামচন্দ্ররো এখন অশোকবন অযোধ্যাত আছিল। তেওঁ লঙ্কা জয় করি বারণক বধি সীতাক উদ্ধারি যেতিয়া অযোধ্যালৈ উলট আহি রাজপাটত বহে, তেতিয়া তেওঁ কিছুকাল সীতাবে সৈতে তেওঁর অশোকবনত বাস করিছিল। সেই অশোকবনর বর্ণনা রামায়ণর পরা তলত চমুকৈ লিখিলোঁ। এই বর্ণনার পরা ইতিহাস-প্রিয় পাঠকে সেই সুদূর অতীতর ভারতীয় সভ্যতার এটি জিলিঙনি দেখা পাই সন্তোষ পার বুলি আশা করিলোঁ। আগর দিনত অশোকবনত বসন্তোৎসর হৈছিল।

অযোধ্যার অশোকবন এখন মনোহর পুষ্প-কানন; নানা তরহর সুন্দর সুন্দর গছ, বন আরু লতাকুঞ্জরে সুশোভিত; কোনো কোনো গছ-লতা বরেণ্ডমাহতে ফুলি থাকে; কোনো কোনো গছ-লতার পাতরোর সোণ বরণীয়া; কোনো কোনোর পাত ফুইর নিচিনাকৈ জিলিকে; কোনো কোনোর পাত নানা বরণীয়া; তাত কত প্রকারর হাজারে হাজারে, লাখে লাখে ফুল ফুলি আরু সবি দশোদিশ সুগন্ধত আমোদমোল হৈ থাকে। ফলর ওপরত কলীয়া ভোমোরা আরু ফুটুকাফুটুকি পখিলাবিলাক উরি ফুরে। গছর ডালে ডালে আরু লতাকুঞ্জত পরি নানা রকমর ধুনীয়া ধুনীয়া চরাইবিলাকে ওরলা মাতেরে আরাও করি থাকে। কাননর মাজেদি এখন কপহী সরু নৈ কুল্-কুল্ সুরে ঘুরি-পকি বৈ যৈছে। সেই নৈত নাও খেলাব পারি। নৈখনত সোণ-কপর নিচিনা মাছবিলাকে কমাই ফুরে। চিকুণচাম হেনুল-হাইতাল খুউরা আরু টিঙত সোণ-খটোরা নাওবিলাক ঠায়ে ঠায়ে পারত বন্ধা থাকে। ঠায়ে ঠায়ে দীঘলীয়া বিলর নিচিনা সুন্দর দীঘিকারিলাক নির্ম্মল পানীরে পরিপূর্ণ হৈ থাকে। সেই দীঘিকারিলাকর পারিবিলাক শিলেরে বন্ধোরা; সোপানবোর ফটিকেরে সজা। সকলো দীঘিকাতেই কমল, কুমুদ আরু নানা তরহর মাছ দেখিবরে পোরা যায়। বাস্তহাঁহ, পানী-হাঁহ শরালি, ডাউক আদি চরাইবিলাক তাত চরি থাকে। পারে পারে সুন্দর ফটিকর আলি আরু আলির দুয়ো কাষে চন্দন, অগরু, দেবদারু, তমাল, সরল, পদ্ম, নাগেশ্বর বকুল আদি বিয়া গছর শারী আরু মনমোহা চালে চকু-বোরা ফুলর মুলী। লং, দালচেনি, জায়ফল, ইলাচি আদি সুগন্ধি মহজার গছো দেখিবলৈ পোরা যায়। গোটেইখন কাননর চারিওফালে প্রাচীরে বেড়ি আছে। কাননর ভিতরত নিমজ সেউজীয়া গালিচার নিচিনা দুর্বিয়নিত নানা ফুল সরি থাকি নীলাকাশত তরাবিলাকর দরে তিরবিরাই থাকে। দুর্বিয়নির মাজে মাজে ফটিকেরে সজা অপ্সরার প্রতিমূর্ত্তি; অপ্সরার মুখেদি ফিৰ্ ফিৰ্ করি পানী ওলাই আকাশলৈ পানী-পহী উঠি পরি যায়। বারে সীতারে সৈতে এই মনোহর অশোকবনর শোভা চাই চাই এটি লতাঘরত সোমাই কিছু পর বহি সেই কাননর ভিতরত থকা প্রমোদঘরলৈ গল আরু তাত নর্ত্তকীসকলর নৃত্য-গীতেরে তেওঁলোকর মনত রং লগালে।

সময়-বাণী

—শ্রীযুত কমলাকান্ত ভট্টাচার্য্য

সময় এটি বিবর্ত্তন ক্রিয়ার ঘূর্বি থকা চক্রর বহস্ত তত্ত্ব। বিবর্ত্তন বা ক্রমবিকাশর শেহত পরিণাম ক্রিয়া। সৃষ্টিত এই দুটি ক্রিয়ায়েই ভঙ্গা গঢ়া করি থাকে। ইয়াকে বোলে একোরে খণ্ডাব নোরবা প্রাকৃতিক নিয়ম অর্থাৎ আইন। ঐশ ইচ্ছা—ঐশ শক্তিকেই প্রকৃতি বুলা যায়। ভাবত বর্ষর হিন্দুজাতি বিমান দ্রবদ গাঁতত সোমাব লাগে এতিয়া-লৈকে সোমায়েই আছে। ইয়াকেই অচেতন নিদ্রাবস্থাত থকাও আন প্রকারে দেখায়। এনে নিদ্রাবস্থাব পরা তোলাব কাবণে এতিয়া সময়ে বিভিয়াই বিভিয়াই কৈছে যে ভাবতব হিন্দু মছলমানহত এক হৈ পব। পাঠক পাঠিকাসকল, মন থিব করি কাণ পাতি শুনা সময়ে আৰু কি কি কথা কৈছে। হে ভাবতব হিন্দু! মছলমানলৈ আখেজ নাবাখিবা। তোমালোকব এইটো বব ভুল। মছলমানে ইদ আদি পৰ্ব্বদিনত গৰু বলি দিয়ে আৰু গোমাংস ভক্ষণ কবে, এয়ে কৈছে মছলমানব ওপরত হিন্দুব ঘাই কথা। আমি হিন্দুজাতি বর্ত্তমান সত্য ধর্ম্মব পরা একেবাবে খহি পবিলো; গতিকে আমি গো-হত্যা মহাপাপ বুলি গা শিয়বাই তোলোঁ কিন্তু নবহত্যা অতি মহাপাপ বুলি অকণো নেভাবো। গোসানীৰ আগত "নবমেনমহিষয়োছাগমপিবা" ইত্যাদি বলি দিব পায় তাত পাপ নহয়। গৰু বলি দিলে হলে মহাপাপ হয়। অতীজত গৰু বলি দিয়া প্রথা আছিল যে কালিকা পুরাণতেই তাব আভাস পোরা যায়, আনকি ঋষিসকলব দিনত গোমেধ যজ্ঞও পাতিছিল আরু তেখেতসকলে গো-মাংস ভক্ষণ কবিছিল যে তাব বহু প্রমাণ দিব পারি। অমবকোষত পোরা যায় অতিথিব নাম "গোঘ্ন"; কাবণ আগেই আহিলে গৰু মাবি খুৱাব পায়। এতিয়া অতিশয় মহাপাপ যে নবহত্যা, তাব হলে বিচাব নাই। কিয়নো নব বলি দিয়া ধর্ম্মব ভিতবব কথা; বৃটিশ গভর্ণমেণ্টে নববলি মহা অপবাধ বুলি বন্ধ কবিছে দেখি বক্ষা। গো-হত্যা মহাপাপ বিবেচনা কেতিয়াব পবা হল? বেতিয়াব পবা আমাব হিন্দুজাতি গৰুবে সৈতে স্বজাতি হৈ পবিল। এতিয়া বিচাব করি দেখা যাওক, আমি যেতিয়াব পবা বিবেকহীন গৰু জাতি হৈ পবিলো তেতিয়াব পবা যে পব জাতিব ভবিবধচকা খোরা পবাধীন জাতি হৈ পবিলো তাব ভুল নাই। ভাবি চাবলৈ গলে আমাক ঘাইকৈ পবাধীন কবিলে গুবিত গো-হত্যাকাণ্ডই। বঙ্গলা দেশ বা গৌড়ব বজা লক্ষ্মণ সেন সিংহাসনত বহি থাকোতেই ১৭ জন মাত্রোন মছলমান আহিছিল। লক্ষ্মণ সেনৰ বাটচবাব আগত গৰু কাটি পেলোরাব কাবণেই লক্ষ্মণ সেনে সিংহাসন এবি পিছফালব দুবাবেদি পলাই গুচি গল। যেতিয়া মাংমুদ ঘজনি আহিছিল তেতিয়া অতুল ঐশ্বর্য্যবে ভবা থানেশ্বব দেবালয়খনব আগত গৰু কাটিয়েই হিন্দুক পবুবালে, এতিয়ালৈকে মূল্য ঠিক কবিব নোবাবা কহি-নুব হীবাখনি চিবকালেই ভাবতে হেকবালে। এতিয়া সেই সুমন্তক মণি ক'ত? এইবে গৰু কাটিছেই বহু বজাব বাজত্ব মছলমানে হাত কবি পেলালে। গোবধেই ভাবতক পবাধীন কবি পেলালে। এই পর্য্যন্ত গোবধ লৈয়েই হিন্দু মছলমানব ভিতবত কটাকটি মবামবি চলি আছে যে এয়েই স্বরাজ পোবাব বাধা।

গৰু আৰু মহ এই দুটি জন্তুব আমাব আই বোপাইব দবে। এই দুটি জন্তুবে আমাক খেতি, বেপাব-বাণিজ্য চলাবলৈ ঘাইকৈ সহায় করি পোহপাল দিয়ে। এই নিমিত্তে মহ বধ কবাও গোবধ তুল্য পাপ। কেঢ়বাব পবা আমাক গাখীব খুৱাই তোলে আরু প্রাণ বক্ষা করে, এই কাবণে গোহত্যা ঋষিসকলে পিছত মনা কবিলে।

আনপিনে চাবলৈ গলে একো একোহাল গৰু-মহৰ দাম প্ৰায় ২।৩ শ টকা, গাই গৰুৰ দামো ১০০৲। ৫০৲ টকা। এতেকে এই জন্তুবিলাক হত্যা নকৰাকৈ বৰ্ত্তমান আমি কেনেকৈ ৰক্ষা কৰিব পাৰোঁ, হিন্দু-মছলমান দুই সমাজেই তাৰহে চেষ্টা কৰিব লাগে। ইউৰুপীয়ান সৈন্যক খুৱাবলৈ দিনৌ অসংখ্য গোবধ যে হয় তালৈ আমি হলে কাণ নকৰো, পৰ্ব্বৰ দিনত গোবধ কৰাৰ কাৰণে হিংসা কৰো মছলমান ভাই হঁতক। ইয়াকেই বোলে বিবেকবিহীন অবিচাৰৰ কাৰ্য্য। গোহত্যায়েই যে হিন্দুধৰ্ম্ম নাশ কৰে আমি তাকহে ভাবো; আমি যে সত্যধৰ্ম্মৰ পৰা কেবা হেজাৰ বছৰো হল পিছল খাই পৰিছো তাক হলে নাভাবো। কিবিলাক মহাপাপে হিন্দুক ধ্বংসৰ পিনে নি আছে তাক গুচাবৰ হলে অলপো চেষ্টা নকৰো। আৰ্য্য ঋষি সকলৰ বেদ উপনিষদ আদি অভ্ৰান্ত ধৰ্ম্ম-শাস্ত্ৰৰ ঈশ্বৰ পূজাৰ সলনি পুৰাণৰ কবিকল্পনা দ্বাৰাই সৃষ্ট মিছা দেৱদেৱীবিলাক পূজা কৰি আৰ্য্যগৌৰৱ একেবাৰে লোপ কৰি পেলাইছোঁহক। কবিৰ স্বভাৱেই সৌন্দৰ্য্য বিচাৰি ফুৰা; তাক কল্পনাৰে সৃষ্টি কৰি একো একোটি নোহোৱা নোপজা বস্তু সৰজি দেখোৱা আৰু অসম্ভৱক আকৃতি কৰি ভাবময় মূৰ্ত্তি বা চিত্ৰেৰে ৰঞ্জিত কৰা। এনেবিলাক কল্পনাপূৰ্ণ উপন্যাসৰ বৰ্ণনাযুক্ত দেৱদেৱীবিলাক আমি হিন্দুৱে পূজা কৰো আৰু তাকেই ধৰ্ম্ম পাতো। উদাহৰণ স্বৰূপ দেখাওঁ দুৰ্গা প্ৰতিমা। ইয়াৰ ইতিহাসৰ দত লিখিনি মনি চালে ওলাই পৰে সিংহ এটি আৰু মহ এটি। ইয়াকেই বুজায় প্ৰকৃতি শক্তি। এই প্ৰকৃতি শক্তিক বহলাই দেখোৱা পুথিখনি হৈছে চণ্ডীপুৰাণ। এই পুৰাণৰ মহিষাসুৰ বধ বৰ্ণনাটিয়ে দেখুৱায়, অতি আদি যুগৰ সময়ত যেতিয়া মানুহ ঘোৰ অসভ্য আৰু নাঙট আছিল, তেতিয়া জন্তুক মানুহে শ্ৰেষ্ঠ জ্ঞান কৰি দেৱতা বুলি পূজা কৰিছিল। এতিয়াও ভাৰতৰ হিন্দুসকলে হাতীক গণেশ পাতি, বাঘৰ গাত গোসানী লম্বা জ্ঞান কৰি হাবিত মাহ চাউল নৈবেদ্য দি পূজা কৰি আহে। এনে বিধৰ মানুহকেই ইংৰাজী ভাষাত Totamist অৰ্থাৎ গছ গছনিকে ধৰি জন্তুবংশী বা গোত্ৰী বোলে। মহিষাসুৰ বধ বৃত্তান্ত থকা চণ্ডীপুৰাণখন ভালদৰে মন কৰি পঢ়ি চালে (Zoology) প্ৰাণীতত্ত্বখন ওলাই পৰে। এই প্ৰাণীতত্ত্ব কথাকেই ধৰ্ম্মৰ দোকান পতা পুৰুহিত সকলে পাই অলঙ্কাৰ লগাই প্ৰাকৃতিক কল্পিত দুৰ্গাদেৱী পাতি পূজা চলাই ধন ঘটিব ধৰিলে আৰু ৰং-ধেমালিৰ এটি পৰ্ব্ব পাতি তুলিলে। ইয়াৰ গুৰি-বৃত্তান্তটি এই— জম্বাসুৰ নামে এটি অসুৰ আছিল, সিও ডাঙ্গৰ বনৰীয়া মহেইহে। সি শিৱ মহাদেৱৰ ওচৰত তাৰ যেন ত্ৰিভুবন জয়কাৰী পুত্ৰ এটি হয় এই বৰ পাবলৈ তপস্যা কৰিব ধৰিলে। মহাদেৱে সন্তুষ্ট হৈ তথাস্তু বুলি তাক বৰ দিলে। সি তেতিয়া কলে, পুত্ৰসন্তান জন্মাবলৈ তাৰ তিৰোতা নাই। তেতিয়া মহাদেৱে কলে, "কুচ্ পৰৱাই নাই"। তুমি বাটে বাটে গৈ থাকোতে যি মাইকী জন্তুকে দেখা পোৱা ধৰি শৃঙ্গাৰ কৰিবা। এই কথা এবমস্তু বুলি স্বীকাৰ কৰি যাওঁতে জম্বাসুৰে হঠাৎ বাটতে বনৰীয়া মহ এজনী দেখা পাই তাইক ধৰি ৰমণ কৰিলে। এই মহজনীৰ গৰ্ভৰেই পৰা মহিষাসুৰ জন্মে। এই মহটি অদ্ভুত ডাঙ্গৰ, তালৈ সকলো প্ৰাণীয়ে ভয় খাই উঠিল। সেই মহিষাসুৰ বোলা মহটি আজিকালিৰ মহৰ দৰে নহয়; সি সম্ভৱতঃ ১০।১১ ফুট বা তাতকৈও দীঘল এটি দঁতাল হাতীৰ সমান আছিল। সেই সময়ত একো একোটি জেঠীও এনে বৃহদাকাৰ দীঘলে ৬০ ফুট আছিল। সেই কালৰ ঐৰাৱত হাতী (মেমথ) ওখই ২১ হাত পৰ্য্যন্ত আছিল, দাঁত ৮ হাত পৰ্য্যন্ত দীঘল আছিল। একো একোটি হাৰগিলা আৰু বগলি চৰাইৰ ঠেং ২০।২২ হাত দীঘল আছিল। এনে ডাঙ্গৰ দীঘল অদ্ভুত জন্তুবিলাক সৃষ্টিপাতনি দিনত হোৱা কথা স্কন্দ পুৰাণেও প্ৰমাণ কৰে, যথা—"এককায়ো মহাকায়ো অতিকায়ো এবচ, একনেত্ৰম্ মহানেত্ৰম্ বহুনেত্ৰঞ্চ সৰ্ব্বসঃ, এক যুদ্ধভিৰৈ স্তুৰ্গ্নে মহাযুদ্ধভিৰেৱচ" ইত্যাদি ইত্যাদি। সেই কালৰ পুৰাণত লিখা এইবিলাক কথা মিছা বুলিব নোৱাৰি। ইয়াৰ সাৰ্ব্বস্ত প্ৰমাণ

জীৱজন্তুৰ হাড় মূৰ ঠেং কলিকতা, বিলাত, জাৰ্ম্মাণ, ফ্ৰান্স আদিৰ যাদুঘৰ বিলাকত ৰাখি থোৱা হৈছে। এই প্ৰমাণৰ ওপৰতেই ধৰিব পাৰি সেই কালৰ মহিষাসুৰ বোলা প্ৰাণীজগতক আতঙ্ক লগোৱা মহটি অতি বৃহৎ আছিল। চণ্ডীপুৰাণে মকৰাক্ষ, ধুম্ৰাক্ষ, বিড়ালাক্ষ আদি অসুৰৰ যিবিলাক নামকৰণ কৰিছে সকলোবিলাকেই জন্তু। সৃষ্টিত যেতিয়া উৎপাত আৰম্ভ হয় তেতিয়া ঐশ শক্তি প্ৰকৃতিয়েই নিয়ন্ত্ৰীৰূপে তাক নিয়মিত কৰে। সেই কালত ঘোৰ অজ্ঞান অসভ্য আমাৰ প্ৰপিত মহ সকল এনে অসহায় আৰু নিৰাশ্ৰয় অৱস্থাত আছিল যে জীৱ জন্তুবিলাকৰ গৰাহৰ পৰা গাঁতৰ ভিতৰত আৰু গছৰ ওপৰত থাকিহে আত্মৰক্ষা কৰিব পাৰিছিল; এই কাৰণে নিয়ন্ত্ৰী প্ৰকৃতিয়ে জন্তুৰ দ্বাৰাই জন্তু বধ কৰাই মানুহক তাৰ মঙ্গহ খুৱাই ৰক্ষা কৰিছিল। এনে বিলাক যুদ্ধৰ ঘটনাকেই পুৰাণে অসুৰ বধ যুদ্ধ বুলি বৰ্ণনা কৰিছে। সিংহটিয়ে মহটিক বধ কৰিলত হল মহিষাসুৰ বধ পুৰাণ। কবিয়ে পাই প্ৰকৃতি দেৱীৰূপে বৰ্ণনা কৰিলে, শেহত চিত্ৰকৰ আৰু খনিকৰে পাই পট (ফটো) আৰু মূৰ্ত্তি গঢ়ি তুলিলে। এয়ে হল দুৰ্গা প্ৰতিমা, এন্দুৰ আৰু হাতী (গণেশ) বিবৰ্ত্তনক্ৰিয়া তত্ত্ব; মহক দমন কৰে সিংহে, সিংহক দমন কৰিব পাৰে সাপে, সাপক দমন কৰিবৰ শক্তি বোধে ধৰে পক্ষীৰ। এই কাৰণে মৰা চৰাইটি দুৰ্গা প্ৰতিমাৰ লগত সংযুক্ত। দুৰ্গা প্ৰতিমা-খনি প্ৰকৃতিৰ কল্পনাময় মূৰ্ত্তি। ইয়াকেই উদ্ঘাটন কৰি বখলিয়াই নেচাই মূৰ্ত্তি পূজা কৰোঁহক। আদিকালত মূৰ্ত্তি পূজা নাছিল। আৰু ভাৰতৰ অতিশয় জ্ঞানৰ উন্নত অৱস্থাত আৰ্য্যসকলে মূৰ্ত্তি পূজা নকৰিছিল। কেতিয়াৰ পৰা ভাৰতত মূৰ্ত্তিপূজা চলতি হল? এই কথা বিচাৰ কৰি কোৱাৰ আগতে কওঁ, প্ৰকৃতিয়েই প্ৰকৃতিক দমন কৰি ৰাখে; সেয়ে নিয়ন্তা গৰাকীৰ বিধান। হাতীয়ে হাতীৰ সৈতে যুদ্ধ কৰি মৰে, মহে মহৰ সৈতে, বাঘে বাঘৰ সৈতে, সিংহে সিংহৰ লগত যুদ্ধ আৰু খোৱা-কামোৰা পাতি মৰে। সেইদেখি আদি যুগৰ অস্ত্ৰহীন মানুহ ৰক্ষা পৰি আছিল। এনে উদাহৰণেই সাব্যস্ত কৰি দেখাইছে যে সৃষ্টিত যেতিয়া উৎপাত ঘোৰ হৈ উঠে তেতিয়া তাক নিয়ন্ত্ৰী প্ৰকৃতিয়েই শৃঙ্খলা লগাই শান্তি স্থাপন কৰে, মানুহ মাথোন নিমিত্তভাগী। যেতিয়া কোনো মানুহ অতিপাত অহঙ্কাৰী আৰু প্ৰতাপী হৈ, আন কোনো জাতিয়েই জিনিব নোৱৰা শক্তি লাভ কৰি অধিকৃত জাতি সমূহৰ ওপৰত অসহনীয় অত্যাচাৰ কৰে, তেতিয়া নিজৰ ভিতৰতেই শেহত যুদ্ধ কৰি কটা মৰা লগাই আৰু ঘোৰ কাজিয়া পাতি নিজে নিজে নিৰ্ম্মূল হয় এই কথাৰ প্ৰমাণ ইতিহাসে বহুত দিব পাৰে। অজেয় ৰোমান জাতি আৰু মছলমান জাতি নিজে নিজে বিদ্ৰোহী হৈ ধ্বংস পালে। এনেদৰে ধ্বংস পোৱাটো নিয়ন্তা পৰমেশ্বৰৰ বিধানেই যে, তাক নহয় কোনে বুলিব পাৰে? হে ভাৰতবাসী! জাতকুলৰ অহঙ্কাৰ এৰি এক হোৱা; আমালৈ ভাল দিন আহিব লাগিছে।

—— ——

বিবিধ

৺প্ৰিয়লাল বৰুৱা

এওঁ বৰ্ত্তমান মন্ত্ৰী ৰায় বাহাদুৰ কনকলাল বৰুৱাৰ বৰ-দেউতাক। প্ৰিয়লাল বৰুৱা আৰু এওঁৰ লগতে আন এজন মীনধৰ বৰুৱাই পোন-প্ৰথমে উজনি অসমৰ পৰা হুগলী কলেজত শিক্ষা লাভ কৰিছিল গৈ। অসমত চিপাহী বিদ্ৰোহৰ ঢক তোলাৰ পূৰ্ব্বতে প্ৰিয়লালে "সমাচাৰ চন্দ্ৰিকা" আৰু "বেঙ্গল হৰকৰা" কাকতত শিৱসাগৰৰ প্ৰিন্সিপেল এচিষ্টেণ্ট ছাহাব মিঃ হলৰইডৰ মইমতীয়া কথাৰ সমালোচনা কৰিছিল। সেই সময়ত অসমীয়া মানুহে বাতৰি কাকতৰ জৰীয়তে ৰাইজৰ মনোভাৱ জনাব লাগে বুলি বুজিছিল, আৰু গৱৰ্ণমেণ্টেও সেই কাকতৰ মতামতলৈ দৃষ্টিপাত কৰিছিল। অসমীয়া সমাজৰ বৰমুৰীয়া সকলে শিৱ-সাগৰৰ "আৰুণোদয়ত" স্থানীয় বাতৰি প্ৰচাৰ কৰিছিল যদিও, ধৰ্ম্ম আৰু সংস্কাৰ ভাবেৰে সমভাৱে জড়িত বঙ্গদেশৰ প্ৰবীণ হিন্দুসকলৰ জ্ঞাতাৰ্থে "সমাচাৰ দৰ্পণ" "সমাচাৰ চন্দ্ৰিকা" আদি কাকতত অসম দেশৰ বিৱৰণ আৰু অন্যান্য সমসাময়িক ঘটনাবিলাক প্ৰকাশ কৰাইছিল। হলিৰাম ঢেকিয়াল ফুকন, যজ্ঞোৰাম খাৰ-ঘৰীয়া ফুকন, যাদুৰাম ডেকা-বৰুৱা আৰু কালীনাথ তামুলী ফুকনেই ইংৰাজৰ আমোলত পোন-প্ৰথম বাতৰি কাকতৰ সদ্ব্যৱহাৰ কৰোঁতা। অসমীয়া "জৰ্ণেলিষ্টৰ" ভিতৰত তেওঁবিলাকেই আদি। তাৰ পিছত আনন্দ-ৰাম ঢেকিয়াল ফুকন, ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা, পূৰ্ণানন্দ বৰুৱা, নিধি লোভ দাৰৱেল আৰু ওপৰত দিয়া চিত্ৰটি যাৰ, তেওঁ।

প্ৰিয়লাল বৰুৱাৰ দেউতাক দুতিৰাম চিৰস্তাদাৰক গৱৰ্ণমেণ্টৰ বিদ্ৰোহী বুলি মণিৰাম দেৱানক ফাঁচী দিয়াৰ পাচতে আণ্ডামানলৈ মেলে। প্ৰিয়লালে কলিকতালৈ গৈ গৱৰ্ণৰ জেনেৰেলৰ তাত আপীল কৰি তেওঁৰ দেউতাকক খালাছ কৰাই আনেগৈ। গুৱাহাটীৰ পৰা প্ৰিয়লাল যাওঁতে শপত খাই গৈছিল বোলে 'মোৰ দেউতাক খালাছ কৰি আনিব নোৱাৰোঁ মানে ঘূৰি নাহোঁ।" তেওঁ যেতিয়া কলিকতাৰ পৰা ঘূৰি আহে, তেওঁৰ দাঢ়ি-চুলি বাঢ়ি নাই আৰু কঁকাল পাইছিলগৈ হেনো।



৺প্ৰিয়লাল বৰুৱা

প্ৰিয়লাল স্কুল বিভাগৰ ডেপুটী ইন্‌স্পেক্টৰ আছিল। 'আসাম বুৰঞ্জী'লেখক ৰবিঞ্চন্ চাহাবৰ কামকেই তেওঁ কৰিব লগীয়া হৈছিল। প্ৰিয়লালৰ ভায়েক শ্ৰীযুত মোহনলাল বৰুৱা এতিয়াও তেওঁবিলাকৰ নামতী কাকতী গাৱঁৰ পুৰণি ভেটিতে জীৱিতাৱস্থাত আছে।

ছেগা-চোকোকাকৈ প্ৰিয়লালৰ জীৱন-কথাত যি পোহৰ পোৱা যায় তাৰ পৰা বুজিব পাৰি যে তেওঁ এজন স্বদেশপ্ৰিয়, ধাৰ্ম্মিক আৰু নিৰহঙ্কাৰী লোক আছিল।

টকাৰ চমু বুৰঞ্জী

পাঠান সম্ৰাট চেৰচাহৰ দিনত পোন-প্ৰথমে ভাৰতবৰ্ষত টকা প্ৰচলন কৰা হয়। তাৰ পিছত ১৭৯৩ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বঙলা দেশত চিকা টকা চলায়। চিকা টকাত অব্দসংখ্যা সম্ৰাট চাহ আলমৰ শাসনৰ ১৯ চন লিখা আছিল। তাৰ পিছত ১৮৩৪ চনত ইঃ ইঃ কোম্পানীয়ে তেতিয়াৰ ৰজা ৪ৰ্থ উইলিয়মৰ ছবিৰে টকাৰ এটা ডিজাইন বা পৰিকল্পনা কৰে আৰু সেই টকা চলাবৰ নিমিত্তে অনুমতি পাবলৈ বৰলাটলৈ পঠায়। তাৰ পিছৰ বছৰত ডিজাইনটো বৰলাটে মঞ্জুৰ কৰে। সেই বছৰতে টকা উলিওৱা হয়। এই টকাৰ এফালে ৰজা ৪ৰ্থ উলিয়ামৰ ছবি আৰু আন ফালে ইষ্ট ইণ্ডিয়া কোম্পানীৰ নাম অঁকা আছিল। এই টকাৰ ওজন ন কুৰি গ্ৰেণ আছিল আৰু ইয়াক কোম্পানীৰ টকা বুলিছিল।

১৮৪০ চনত টকাৰ ৰূপ সলনি হয়। এই বেলি মহাৰাণী ভিক্টোৰীয়াৰ ছবি টকাত অঁকা হয় কিন্তু মহাৰাণীৰ ছবিত ৰাজমুকুট নাছিল। টকাৰ পাছৰ ফালে ইঃ ইঃ কোম্পানীৰ নাম আছিল।

১৮৬২ চনত টকাৰ ৰূপ আকৌ সলোৱা হয়। ভাৰতবৰ্ষৰ শাসনভাৰ তেতিয়া কোম্পানীৰ হাতৰপৰা মহাৰাণীৰ হাতত। এই বাৰৰ টকাত মহাৰাণীৰ মূৰত ৰাজমুকুট আছে আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ নাম তুলি দি মাথোন পিছৰ ফালে ইণ্ডিয়া শব্দটো ৰখা হয়। ১৮৬৬ চনত ভিক্টোৰীয়াই সম্ৰাজ্ঞী উপাধি লয় আৰু সেই বছৰতে টকাৰো ৰূপ সলনি ঘটে। এইবেলি বাণী শব্দৰ ঠাইত সম্ৰাজ্ঞী লগোৱা হয়। এই টকা ১৯০১ চনলৈ চলে।

১৯০৩ চনত সম্ৰাট সপ্তম এডোৱাৰ্ডৰ ছবিৰে নতুন টকা প্ৰচাৰ কৰা হয়। এই টকাত সম্ৰাটৰ মূৰত ৰাজ-মুকুট নাছিল। ১৯১০ চনত সম্ৰাটৰ মূৰত ৰাজমুকুট থকা টকা চলাবলৈ দিহা কৰা হয়। সেই উদ্দেশে টকা মাৰিবলৈ এটা সাঁচো গঢ়া হৈছিল। কিন্তু এই সময়ত সম্ৰাটৰ মৃত্যু হোৱাত টকা প্ৰচাৰ বন্ধ থাকে।

১৯১১ চনত সম্ৰাট পঞ্চম জৰ্জ্জৰ প্ৰতিকৃতিৰে সৈতে টকা, আধুলি, শিকি তৈয়াৰ কৰি ৰখা হয় আৰু সেই বছৰিয়ে ১২ ডিছেম্বৰ দৰবাৰৰ দিনা সেইবোৰ পোন-প্ৰথমে প্ৰচাৰ কৰি দিয়া হয়। কিন্তু এই নতুন টকাৰ পঞ্চম জৰ্জ্জৰ ছবিৰ তলত হাতীৰ যি ছবি আছিল, সেইটো স্পষ্ট হৈ নথকাত ১৯১২ চনত নতুন সাঁচত টকা তৈয়াৰ কৰা হয়। পঞ্চম জৰ্জ্জৰ নামৰ টকা ১৯২৩—২৪ চনত কুৰি লাখ দহ হাজাৰ টকা প্ৰচাৰ কৰা হৈছিল। তাৰ পিছত আৰু নতুন টকা তৈয়াৰ কৰা হোৱা নাই। ১৮৩৫ চনৰ জানুৱাৰীৰপৰা আজিলৈ টকাৰ ওজন ১৮০ গ্ৰেণ কৰা হৈছে। ইয়াৰ ভিতৰত ১৬৫ গ্ৰেণ নিভাঁজ ৰূপ; বাকী ১৫ গ্ৰেণ আন ধাতু।

নিৰ্ব্বাচনৰ খৰছ

ইংলণ্ডত যি নিৰ্ব্বাচন এইবাৰ হৈ গ'ল, তাত প্ৰত্যেকটো ভোটৰ কাৰণে প্ৰায় এক শ্বিলিংকৈ খৰছ পৰিছে।

ইয়াৰ আগৰ ১৯২৪ চনৰ ১৯২৯ চনৰ নিৰ্ব্বাচনৰ হিচাপ পৰীক্ষা কৰিলে পোৱা যায় যে ১৯২৪ চনত প্ৰত্যেক জন প্ৰাৰ্থীয়ে পতি ৬৪৫ পাউণ্ডকৈ আৰু ১৯২৯ চনত ৭০১ পাউণ্ডকৈ খৰছ হৈছিল।

হাউছ অৱ কমন্সত ৬১৫ জন মেম্বৰ লোৱা হয়। তাৰ বাবে ১৯২৪ চনত ১৪২৮ আৰু ১৯২৯ চনত ১৭৩০ জন প্ৰাৰ্থী আছিল; ১৯২৪ চনত ১৬৬৪০২৭৯ জনে আৰু ১৯২৯ চনত ২২৬৪৮৩৭৫ জনে ভোট দিছিল।

১৯২৪ চনৰ মুঠ খৰছ ৯২১১৬৫ পাউণ্ড আৰু ১৯২৯ চনৰ মুঠ খৰছ ১২১৩৫০৭ পাউণ্ড।

আয়ৰ্লেণ্ডৰ উত্তৰাংশত অতি কম খৰচত ভোট পোৱা যায়। ১৯২৯ চনত তাত প্ৰতিটো ভোটৰ বাবে ৪ পেন্সকৈ খৰছ হৈছিল। স্কটলেণ্ডত ১১½ পেন্সকৈ আৰু ইংলণ্ডত ১ শ্বিলিং ১½ পেন্সকৈ খৰছ হৈছিল।

যোৱা বাৰত প্ৰতিদ্বন্দ্বী থকা প্ৰাৰ্থীসকলৰ ভিতৰত মিঃ মেক্সটনৰ আটাইতকৈ কম খৰছ হয়। তেওঁৰ সৰ্ব্ব মুঠ ৭৫ পাউণ্ড খৰছৰ ভিতৰত ছপাৰ বাবে ৬৮ পাউণ্ড, কমিটি কম ভাৰাৰ বাবে ৫ পাউণ্ড আৰু প্ৰকাশ্য সভাৰ বাবে ২ পাউণ্ড খৰছ হয়।

প্ৰত্যেকটো ভোটৰ বাবে ৪½ পেন্সকৈ খৰছ কৰি সৰ্ব্ব মুঠ ৬২৫ পাউণ্ড খৰছৰ পিছত মিঃ মেকডোনাল্ড কৃতকাৰ্য্য হৈছিল। বলডুইনে ৯৪৮ পাউণ্ড আৰু মিঃ লয়েড জৰ্জ্জে ৮৪৮ পাউণ্ড খৰছ কৰিহে জিকিব পাৰিছিল।

পোষ্টকাৰ্ডৰ উৎপত্তি

ভাৰতত পোষ্টকাৰ্ডৰ দাম এপইছাৰ থলত দুপইছা হোৱা কেবা বছৰো হ'ল, অলপতে আকৌ তিনি পইছাকৈ লাগিব। কিন্তু এই পোষ্টকাৰ্ড পোন প্ৰথমে ক'ত ওলাল সাধাৰণে নাজানে। ১৮০৫ চনত, য়ুনিভাৰ্ছেল পোষ্টেল য়ুনিয়নৰ প্ৰতিষ্ঠাতা হেন্‌ৰিক ভন ষ্টিফেনে জাৰ্ম্মান পোষ্ট অফিছৰ কৰ্ত্তৃপক্ষক পোষ্টকাৰ্ডৰ আভাস এটি দিয়ে। আকৌ ১৮৬৭ চনত, কাৰ্ল-ফ্ৰবৰ পোষ্টেল কনফাৰেন্সত এই কথা উল্লেখ কৰে কিন্তু কোনোৱে তেওঁৰ প্ৰস্তাৱটো সমৰ্থন নকৰিলে।

১৮৬৯ চনত ডাঃ হাৰমেন নামে অষ্ট্ৰিয়ান এজনে ভিয়েনাৰ বাতৰিকাকত এখনত এই মৰ্ম্মে এটা প্ৰস্তাৱ তুলিলে যে খামৰে আকাৰৰ কাৰ্ড কিছুমানো কম দৰত পোষ্ট অফিছত বেচিব লাগে। ডাঃ হাৰমেনে ষ্টিফেনৰ প্ৰস্তাৱটোৰ কথা জনা নাছিল। তেওঁ আৰু কলে যে এখন কাৰ্ডত সৰ্ব্বমুঠ কুৰিটা শব্দৰ বেছি থাকিব নোৱাৰিব। অষ্ট্ৰিয়ান পোষ্ট অফিছ বিভাগে তেওঁৰ এই প্ৰস্তাৱটো গ্ৰহণ কৰিলে; ১৮৬৯ চনত পোন প্ৰথমে পোষ্টকাৰ্ড ওলাল, আৰু আমাৰ দেশত ১৮৭০ চনৰ ১লা অক্টোবৰৰ পৰা তাৰ চলতি হ'ল।

সৌন্দৰ্য্যৰ খৰছ

পাশ্চাত্য দেশবোৰত আজিকালি তিৰোতাবিলাকে নিজৰ সৌন্দৰ্য্য বঢ়াবলৈ বহুত ধন খৰছ কৰে, আৰু কি কি উপায়েৰে তেওঁলোকে সৌন্দৰ্য্য বঢ়াবলৈ যত্ন কৰে, তাক মতাবিলাকেও জানে। কিন্তু প্ৰায় ২০।২৫ বছৰ আগেয়ে তিৰোতাবিলাকে এইবাবে খৰছো কৰিছিল বহুত বেছি, আৰু মতাবিলাকে তেওঁলোকৰ কৌশল-বিলাকৰ বিষয়েও একো নাজানিছিল। নানা বিধৰ বং, ডাক্তৰৰ পৰামৰ্শ আৰু দৰৱ, শৰীৰৰ কোনো কোনো অংশ সৰু কৰিবলৈ ৰবৰৰ সাজ, চুলি কটোৱা বা চুচা, ইত্যাদিত প্ৰায় প্ৰতিজনী সম্ভ্ৰান্ত ঘৰৰ তিৰোতাই বছৰি ২৯০ পাউণ্ডকৈ খৰছ কৰিছিল। কেতিয়াবা গালৰ গোলাপী বং বঢ়াবলৈ ডাক্তৰে আৰু অস্ত্ৰ চিকিৎসাও কৰিব লাগিছিল, আৰু মাজে সময়ে কাপোৰ ইস্ত্ৰী কৰাৰ দৰে গাটোকো ডাক্তৰে ইস্ত্ৰী কৰি দিছিল। তাতো প্ৰায় ১০০ পাউণ্ডমান লাগিছিল। গাৰ বং বঢ়াবলৈ কোনো কোনোৱে গাখীৰত গা ধুইছিল। হাতৰ আঙ্গুলিৰ আগবোৰ জোঙাল কৰিবলৈ হাঁতীদাতৰ চুঙা একোটা আঙ্গুলিত পিন্ধা হৈছিল।

ভালপোৱাৰ অৰিহণা

গল্প—

—শ্ৰীযুত উমেশচন্দ্ৰ শইকীয়া

—ক—

ফুলনি গোলাপ, টগৰ, কেতেকী, খৰিকাজাই, শেৱালি বকুল, পাৰলি আদি ফুলেৰে জাতিস্কাৰ। সান্ধ্য সমীৰে ৰেণুবোৰ উৰুৱাই ফুললিখনি নন্দন কাননত পৰিণত কৰিছে। তাৰ মাধুৰীৰ ধীৰ নিজৰাই যেন স্বৰগৰ অমিয়া ঢালিছে।

ধীৰে ধীৰে গিৰিজা ফুলনি বাৰীত সোমালহি। ফুলনিখনিত যেন কোনোবা দেৱীয়ে আহি লয়লাস গতিৰে বিহাৰ কৰিছে। ইজুপি সিজুপি ফুলৰ গুৰিয়ে গুৰিয়ে গৈ গিৰিজা যেন ফুলৰ লগতে এপাহি ফুল হ'ব খুজিছে। সেই অপৰূপ সৌন্দৰ্য্যৰ আকৰ ফুলটিৰ কোমল ফুলৰেণুগঠিত মুখখনিৰ পৰা যেন সৌন্দৰ্য্য-বুভুক্ষু মলয়াই অমিয়া পান কৰিব খুজিছে! তাৰ কোব যেন সেই সুন্দৰ কোমল গাল দুখনিয়ে সহ্য কৰিব নোৱাৰা হৈছে। ফুলৰ গোন্ধৰ আঘাত সহিব নোৱাৰি যেন নিপোটল টুক্‌টুকীয়া গাল দুখনি পোতোকা পৰিবলৈ উপক্ৰম কৰিছে। গিৰিজাই এপাহি গোলাপ ছিঙি আনি লৈ যেন তাৰ প্ৰতিশোধ ল'ব খুজিছে। গিৰিজাই হাতৰ ফুলপাহিলৈ চাই আবেগভৰে যেন ফুলপাহিৰ লগত হৃদয়ৰ নিভৃত কোণৰ গোপনীয় কথা এষাৰি পাতিব খুজিছে।

পচোৱা জাকিয়ে তাক দেখিব নোৱাৰি প্ৰখৰ গতি ধৰি গিৰিজাৰ আঁচলৰ আগটি উৰাই লৈ গৈছে। গিৰিজাই এহাতে সেই সুন্দৰ গোলাপ পাহিটি ধৰি আন হাতে বতাহত হালি জালি উৰি যোৱা আঁচলৰ আগটি ধৰি আনি কঁকালত খোৰোচনা মাৰি থৈছে। আকৌ আন এজুপি ফুলৰ ওচৰলৈ ধীৰ-মন্থৰ গতিৰে যাবলৈ খোজ ডাঙ্গিছেহে তেনেতে নিলাজী পচোৱাই আকৌ গাৰ বিহাখন উৰুৱাই নিছে। এইবাৰ আঁচলৰ আগটি দালিম গুটিৰ নিচিনা আগ দাঁত দুটিৰে কামোৰ মাৰি ধৰিছে। তেনেতে গাৰ বাকীডোগৰ আভৰণ আকৌ পচোৱাই উৰাই নিছে। কি নিলাজী পচোৱা অ! পচোৱা জাকিয়ে সেইদৰে গিৰিজাৰ লগত ধেমালি কৰা দেখি বিহাখনি আঁটি লৈ পচোৱাক যেন গিৰিজাই মনে মনে কৈছে "কি নিলাজ অ!" কাপোৰখনি গাত ভালকৈ পিন্ধি পচোৱাৰ লগত চুপতি কৰি গিৰিজাই মিচিক-মিচিককৈ হাঁহিছে—সেই লজ্জাৱতীৰ হাঁহিটি যেন শৰতৰ পূৰ্ণিমা-বিচোত চন্দ্ৰমাৰ শান্ত স্নিগ্ধ জ্যোতি।

নিলাজী পচোৱাৰ লগত চুপতি কৰি নিজে নিজেই 'অপ্ৰস্তুত' হোৱাৰ ভয়ত গিৰিজা ফুলনিবাৰীৰ মাজৰ পদুম পুখুৰীটোৰ পাৰলৈ লাহে লাহে বাট বুলিছে।

সান্ধ্যগগণত ধীৰে ধীৰে দিনকৰ হিৰন্ময়ী জ্যোতিৰে পদুম পুখুৰীৰ পদুমলৈ বিচ্ছেদৰ বিদায় সম্ভাষণ জ্ঞাপন কৰি অস্ত যাবলৈ উপক্ৰম কৰিছে। ধীৰে ধীৰে পদুমীহঁতৰ মুখত বিৰহ বেদনাৰ কালিমা পৰিছে। তাৰ ফলতেই অধোমুখে যেন হিয়াৰ আবেগেৰে সেই শেষ চুমাটি খাই লাজত তলমূৰ কৰিছে!

গিৰিজাই তালৈকে চাই চাই আহি আছে। গিৰিজাই জানো পদুমীহঁতৰ বেদনা উপলব্ধি কৰিব পাৰিছে?

গিৰিজা আহি চিৰিৰ ওচৰ পাই তাৰ নিম্নস্তৰত দেখা পালে গণেশ কুমাৰক। গণেশ কুমাৰ অপলক চকুৰে চিন্তান্বিতভাৱে পদুমফুলবোৰলৈ চাই বহি আছে। গণেশ কুমাৰৰ হিয়াত যেন চিন্তাৰ প্ৰবাহ

বব বেছি। হঠাৎ এবাব ওপবলৈ মুখ কবি চাই দেখে ওপবত গিবিজা।

গিবিজাই তেনে অবস্থাত গণেশ কুমাবক অকলে অকলে তাত বহি থকা কাহানিও দেখা নাই। তেনেদবে দেখা সেয়ে প্রথম। কিয় তেনে ইঁচে ইয়াকে ভাবি কোনো সিদ্ধান্ত উপনীত হোবাব আগতে গণেশকুমাবে মাত লগালে, "গিবিজা!" গিবিজা ধীবে ধীবে আগুবাই গল। বীণাবিনিন্দিত সুবে মাত লগালে—

"কি ককাইদেউ? ইয়াত অকলে অকলে বহি কি কবিছা?"

"ভাবিছোঁ বহুত, গিবিজা!"

"আজি কেইবা দিনো তুমি আমাব ঘবলৈ অহা নাই। তোমাব এই কেই দিনতে একেবাবেই পবিবর্তন দেখিছোঁ। তোমাক কেনেবা কেনেবা দেখিছো।"

"কি কবিবা গিবিজা! মানুহক চিন্তাই জুকলা কবে। মোবো সেই অবস্থা।"

"কিয়নো তোমাব অকস্মাৎ এনে অবস্থা হ'ল, কবা জানো?"

"তাকেই কম বুলিহে আজি ইয়াত তোমাব কাবণে অপেক্ষা কবি আছো।"

"কোৱা তেন্তে।"

"শুনিবা?"

"শুনিম, কোৱা।"

"অকল শুনিলেই নহব গিবিজা! তাব প্রতিবিধানো তুমিয়েই কবিব লাগিব।"

"মইেই প্রতিবিধান কবিব লাগিব? যদি নোৱাবোঁ।"

"নহয়, তুমি পাবিবা। কোৱা মই যি কম তাক পালন কবিবানে নকবা।"

"যদি সাধ্যাতীত হয়।"

"নহয় গিবিজা! কেতিয়াও নহয়। তুমি পাবিবা।"

"কোৱা। তোমাব বহা সক ভনীয়েবাব দবে সকবে পবা শুনি আহিছো; আজিও শুনি যদি পাবো পালন কবিবলৈ যত্ন কবিম।"

"আজি আগব নিচিনা সাধাবণ কথা নহয়। আজি জীবন মবণ সমস্যাব কথা। এযাব কথাব ওপবতে ভবিষ্যৎ জীবনব হয় আজি প্রাবম্ভ নহয় মূলোচ্ছেদ।"

"ককাইদেউ! তোমাব এনে জটিল কথাব একো গম পোবা নাই। অলপ বহলাই যদি কোবা তেন্তে বুজিব পাবিম।"

"শুনা গিবিজা! দেখিছানে সৌ পচমফুলবোব কিয় জঁয় পবিছে।"

"তুমিয়েই সিদিনা কৈছিলা নহয় বেলি মাব ঘোবাব লগে লগে পচম ফুল জাঁপ যায় বুলি।"

"কিয় যায়?"

"তাক তো সিদিনা তোমাক সোধাত তুমি নকলা। পিছত কম বুলি কলা। আজিয়েই কোবা তেন্তে।"

"শুনা গিবিজা! চোবা, পশ্চিমাকাশত সূর্য্য বুবিছে। পচম পাহি জাঁপ গৈছে। ইয়াব অর্থ পচম আক সূর্য্যদেবব লগত প্রাণব সম্বন্ধ। পচমে সূর্য্যব তাল পায় কাবণেই সূর্য্যদেবেও সুদূবব পবাই সোণাবী বোলেবে বোলাই পচমব পবা বিদায় মাগিছে।"

"এইবোব তুমি কি কৈছা ককাইদেউ?"

"শুনা গিবিজা! বুজিবা। মোট কথা আজি তুমি মোক কব লাগিব—তুমি মোক ভাল পোবানে নোপোবা।"

"কিয়, মই তোমাক সঁচাকৈয়ে ভাল পাওঁ, তুমি নাজানা?"

"নহয় গিবিজা! তুমি মোক বিয়া কবাবানে নকবা, তাকেহে সুধিছো। তোমাব কাবণে মোব হিয়া উবুক গিবিজা!"

"গণেশ সাবধান!" চকিত হবিণীব দবে গিবিজা এথোজ পিছ হহকি গৈ কৈ উঠিল "মনত বাখিবা তুমি কাব আগত কেনেভাবে কথা কব লাগে। তাব আগতে সুধিব পাবোনে তুমি কোন অধিকাবেবে মোব ফুলনিত সোণাই এনেভাবে মোক অপমান কবিছা?" কথাবাব কোবাব লগে লগে গিবিজাব দুগাল চকুলো বাগবি পবিল।

"গিবিজা! মনত বাখিবা, তোমাক মই বব ভাল পাওঁ।"

"থৈ দে তোব তেনে ভালপোবা! নিলাজব তেনে ভালপোবাব কোনো মূল্য নাই। তোব প্রেমব উত্তব দিবাব আগতে মই কওঁ শুন, যি লোকব বাগদত্তা কন্যাক এনে নিলাজ ভাবেবে কথা কওঁলে সঙ্কোচ নকবব, যি মানুহে লোকক ভাল পাওঁ বুলি চাটুকাবব দবে কব পাবে, তাব লগত আক গিবিজাই কথা নকয়। তোব লাজ নাই গণেশ! থকা হলে ভনীয়েবব প্রতি এনে প্রলাপ বাক্য উচ্চাবণ কবিব নোৱাবিলি হেতেন। শুন গণেশ! তোব লগত এয়েই শেষ দেখা। আমাব ঘবলৈ তই গলেও তোব অপমান হ'ব। তোব নিচিনা নিলাজ বিবেকহীন কাপুকষব মুখ আক গিবিজাই নাচায়।" বুলি গিবিজা খণ্ডেবে বেগাই ঘবলৈ গুচি গ'ল।

ঠাই ডোখবত যেন গিবিজাব প্রতিশব্দই প্রতিধ্বনি তুলিছে।

গণেশকুমাব হতভম্ব। কিংকর্ত্তব্যবিমোব হৈ থপব কবি চিবিতে আকৌ বহি পবিল। যি কি শুনিলে! লোকব বাগদত্তা কন্যা! বাস্তবিক গণেশে কি ভুল কবিলে! তাব মগজু ঘুৰি গল। লাজ অপমানত বুকু কঁপিবলৈ ধবিলে।

—খ—

গণেশকুমাব বীকচন্দ্র বববৰা বায়বাহাদুবব একমাত্র পুত্র। বায়বাহাদুবে অতুল বিভবব অধিকাবী পাতি গণেশ কুমাবক এবি সিপুবীব যাত্রী হ'ল। গণেশ কুমাব সকতে মাতৃহাবা। কাশীত চাবি বছব পচি বায় বাহাদুবব মৃত্যুব পিছবে পবা তেওঁ ঘৰি আক কাশীলৈ ঘোবা নাই। আজি ১৷৷ বছব ঘবতে আছে।

গিবিজাইতব ঘবব কাষত গণেশ কুমাবহঁতব ঘব। গণেশ সকবে পবা গিবিজাব লগত খেলে, ঘুবে, থাকে। গিবিজাব দেউতাকে চাঃবত ডাঙ্গব কাম কবে। গিবিজা দেউতাকব মাত্র একেজনী ছোৱালী। গিবিজাব বর্ত্তমান শিক্ষাপদ্ধতিবেই উচ্চ শিক্ষাব ব্যবস্থা কবাই দিয়াইছে। গিবিজাব বয়স আন্দাজ ১৫ বছব। এই বছবতে গিবিজাব বিবাহকার্য্য সম্পন্ন হ'ব—কনকব লগত। কনকো এজন উচ্চশিক্ষিত ডেকা। কনক গণেশ কুমাবব সংপাঠী আছিল কলেজত। দুয়োবো বেছ চিনা জনা আছে।

ফুলনিত হোবা ঘটনাব দিনা সন্ধিয়া গণেশ কুমাব আহি নিজব কোঠাব ভিতবত সোমাই একেথবে মেজব ওপবত অল থকা লেম্পটোলৈ চাই আছে সেই চাবুনিত যেন গণেশ কুমাবব বাল্যাবস্থাব, কৈশোবব মধুস্মৃতিবোব বিবিঙ্গি উঠিছে। কেতিয়াবা একোটা দীঘল হুমুনিয়া কাঢ়ি গিবিজাব লগত গণেশ কুমাবব সম্বন্ধ কি, আজিয়েই বা তেওঁক গিবিজাব আগত তেনে কথা কবলৈ কিহে পাইছিল ইত্যাদি ভাবিছে। কেতিয়াবা ভাবে গিবিজাব গাত নো দোষ কি? লোকব বাগদত্তা কন্যাক তেনেভাবে অসংযত হৈ কথা কোৱাটো বাস্তবিক অবিদেয়। এইবোব ভাবব খেলিমেলিত গণেশ কুমাব জর্জ্জবিত। গিবিজাই আনকি গণেশ কুমাবক আক দেখাও নিদিয়ে। গিবিজাই যিয়েই নকক গণেশ কুমাবে তো তেওঁ দেউীব মূর্ত্তিখনি বিসর্জ্জন দিব নোৱাবে—গিবিজাক তেওঁ শৈশবব পবাই ভাল পায়। গিবিজাব প্রতি গণেশ কুমাবব ভালপোবাটো এদিনীয়া নহয় যে তাক পাহবি যাব! তেওঁ নীবৰে সেই হিয়াত স্থাপিত হোবা গিবিজা মূর্ত্তি পূজা কবিব, ভাল পাব। এইবোব ভাবি ভাবি গণেশ কুমাবব শবীব অবশ, হিয়া মন-প্রাণ ক্লান্ত হৈ সেই পিনেই টোপনি গ'ল।

ফুলনিত তেনেভাবে গণেশ কুমাবক কৰ্ত্তব্যনি কবি গিবিজাই নিজব বিছনাত বহি কি কাম কবিলে তাকেই ভাবিব লাগিছে। তেনে ববহাব জানো গিবিজাব নিচিনা গাঃকব পবা আশা কবিব পাবি? গিবিজাই ভাবিছে অতীতব সেই মধুময় ভাববাশি—গণেশ কুমাবে গিবিজাক কিমান মবম কবিছিল কেনেকৈ মাতিছিল। কেতিয়াবা ভাবে নিজে গৈ গণেশ কুমাবক ক্ষমা প্রার্থনা কবিবৈগৈ, কিন্তু গণেশ কুমাবব তেনে নিলজ্জতাই মনত পবি গিবিজাব অভিমানব মাত্রা বেছি হৈ ভাবে যদি

গণেশ কুমার সচাউকৈয়ে আগৰ দৰে হ'ল হেঁতেন তেনে কেতিয়াও গণেশে তেনে কথা শিৰিবাৰ আগত কৰ নোৱাৰিলে হেঁতেন! গণেশ কুমাৰ নতুন গণেশ হৈ পৰিছে! গণেশে তাৰ তেনে অনুচিত কথাৰ উচিত প্ৰতিদান পাইছে। তেওঁৰ ওচৰত আকৌ শিৰিজাই ক্ষমা খুজিব কিয়? ইত্যাদি ভাবৰ জুমুৰিয়ে মাজে মাজে শিৰিজাক মেৰাই ধৰে।

—গ—

এবছৰৰ পিছত। এই বছৰতে চৰৱৰ উদ্যোগী কৰ্ম্মী কনকৰ লগত শিৰিজাৰ শুভ পৰিণয় হৈ গৈছে। গণেশ কুমাৰ এতিয়া গোৱালগুত—কাৰবাৰ কৰি জীৱন নিৰ্ব্বাহ কৰিছে। গণেশে বিয়া নকৰাওঁ বুলি প্ৰতিজ্ঞা কৰিছে। শিৰিজাৰ ছবিখনি পাহৰিব পাৰোঁ বুলি সুদূৰত বসতি কৰিছে, তথাপিও জানো পাহৰিছে? শিৰিজাৰ বিয়ালৈ গণেশ কুমাৰ নাহিল—বিয়াৰ উগ্যা স্বকলে শিৰিজাৰ ফটো কেইখন আৰু এখাৰ হাৰ পঠিয়াইছিল; ইচ্ছা প্ৰতিমা বিসৰ্জ্জন দিয়া—কিন্তু প্ৰথম যৌৱনৰ অঙ্কুৰটিৰ ওচৰত গণেশ কুমাৰৰ সকলো ব্যৰ্থ প্ৰয়াস।

গণেশ কুমাৰ ঘৰলৈ নাহে। আগৰ ঘৰখন ভাড়ালৈ দিয়ে।

চাওঁতে চাওঁতে কালৰ গতি আগ বাঢ়িল। শিৰিজা আৰু কনকে দাম্পত্য জীৱন সুখেৰেই অতিবাহিত কৰিছে।

কনক এজন স্বাধীনচিত্তীয়া ডেকা। লোকৰ তলত থাকিবৰ তেওঁৰ সমূলি ইচ্ছা নাই। সেই অভিপ্ৰায়েই বিদেশী শাসকৰ তলত কোনো চাকৰি নকৰি স্বাধীনভাৱে কাৰবাৰ কৰিবৰ যত্ন কৰিছে। কনকৰ ইচ্ছা এটা কাকতৰ কাৰখানা চলোৱা। সেই উদ্দেশ্য কনকৰ স্থলীয়া জীৱনৰে পৰা হৃদয়ত গাঁচি থোৱা। তাক কাৰ্য্যত পৰিণত কৰিবলৈ কনক উঠি-পৰি লাগিল। বিদেশৰ পৰা প্ৰথম বাৰ যি যন্ত্ৰ আৰু লাগতিয়াল আহিলা-পাতি অনালে সি সকলো পুৰণি—আগে ব্যৱহাৰ কৰা। তাত কনকৰ বিশেষ হাঁহ নহল। তাতো তেওঁ বিচলিত নহৈ পুনৰ দ্বাৰতীয় সকলো জুলি অনালে। এইবাৰ কিছু দিন কাম চলাওঁতে বিদেশী কাৰ্য্যকাৰকে সকলো আহিলা পাতি নষ্ট কৰি পেলালে। এইবাৰ কনকৰ নিজ হাতৰ অৰ্থকোষ শূন্যৰ হ'ল তথাপি কনকে তাতো পৰাজুখ নহৈ কলিকতীয়া মাৰোৱাৰী মহাজনৰ পৰা দহলাখ টকা ধাৰলৈ লৈ পুনৰ কাৰ্য্যত লাগিল। কনকৰ ইচ্ছা এবাৰ যি মূল পৰিছে সি দ্বিতীয় বাৰত নহয় তৃতীয় বাৰত ঘুৰিবই। কিন্তু কনকৰ বিধি-বাম। কনকক ভগবানে সেই কাৰ্য্যত কৃপা নকৰিলে। কনকৰ পৰিশ্ৰম, কনকৰ সাহস, কনকৰ অধ্যবসায় সকলো বৃথা হ'ল। তেওঁৰ কাৰবাৰ বন্ধ হ'ল—লাভৰ ঘৰত বল ১০ লাখ টকা মাৰোৱাৰী মহাজনৰ ঘৰত ধৰ।

কনক কিন্তু এইবাৰ বিচলিত হ'ল। তেওঁ কৰ্ত্তব্য-পথৰ পৰা পিছল খাবলৈ বাধা। দেশৰ মানুহে কনকক সহায় নকৰে। শিৰিজাৰ চকুপানীৰ ধাৰ নিছিগা হ'ল। কনক কিংকৰ্ত্তব্যবিমোৱ। ইমানবোৰ টকাৰ কেনেকৈ ধাৰ মাৰিব! পৈতৃক সাহোন যি আছিল সিও লোকৰ ঘৰত বন্ধকি।

কিছুদিনৰ পিছত মাৰোৱাৰী মহাজনে টকাৰ কাৰণে কনকক তাগিদা দিবলৈ ধৰিলে। শেষত মোকৰ্দ্দমা কৰি টকাৰ সুতে মূলে ডিক্ৰী পালে।

সেইদিনা দিনৰ দিনটো কনকে টকাৰ কাৰণত জোৰা মাৰিব পাৰিব বুলি ব্যৰ্থ-মনোৰথ হৈ ঘৰ সোমাইছেহি। শিৰিজাই সুধি যেতিয়া জানিব পাৰিলে—শিৰিজাৰ অলঙ্কাৰ-পাতিবোৰ আগবঢ়াই দি কলে, "এইবোৰ বিক্ৰি কৰি কিছু টকা পাব; তাৰেই পাৰিলে ধাৰ মাৰক"।

কথাষাৰ শুনি কনকৰ আমঠু কলা পৰি গল। সেই অলঙ্কাৰবোৰ কনকৰ শিৰিজাক দিয়া প্ৰণয়ৰ নিদৰ্শন। কনকৰ চকুলো বাগৰি গল; কলে, "কোন সতেৰে মই সেইবোৰ বেচিম শিৰিজা? মোৰ সকলো গলেও তুমি আছা; সেয়ে যথেষ্ট।"

"নহয়, কাইলৈ যদি থাকিবলৈকে ঠাই এডুখৰি নাপাওঁ এইবোৰ লৈ কৰিম কি? আপুনি ইয়াৰ পৰা সচাউকৈয়ে কিছু টকা পাব।" বুলি শিৰিজাই কনকৰ

কোলাত মুৰ গুজি কান্দিবলৈ ধৰিলে। কনকে ভাবিছে—"যদি মোৰ মুৰত বজ্ৰপাত হলু হেঁতেন!"

—ঘ—

কাছাৰিৰ ঘৰৰ সম্মুখ মানুহেৰে হেন্দোলদোপ-দোলদোপ। বিৰ দি সন্ধি পাওঁলৈ নাই। আজি কনকৰ সকলো সম্পত্তিৰ নিলাম ডাক হ'ব। সকলো সম্পত্তিৰ গৰাকী কনক অহা নাই, ঘৰত চকুলো টুকি বহি আছে।

তিনি বাজিল। বৰ চাহাবৰ অফিচৰ সমুখত ডাক হব ধৰিছে। এই যাওঁ যাওঁ—কোনোৱে ডাকিছে। কেতিয়া যায় ঠিক নাই। অলপতে কনকৰ ভাগ্য পৰিবৰ্ত্তন!

কিছু সময়ৰ পিছত কনক আহি পলকহীন দৃষ্টিৰে তেওঁৰ দুৰ্দ্দশাৰ কথা চাই সেই ডাক হোৱা ফালৈকে চাই আছে।

শেষ বাৰৰ কাৰণে এক—দুই বুলিছে; তেনেতে গোটেই ঠাইডোখৰ আন এটা দৃশ্যত পৰিণত হ'ল। বৰ চাহাবে হুকুম দিছে "ডাক বন্ধ—টকা পৰিশোধ কৰিছে।" সঁচাকৈয়ে ডাক বন্ধ হ'ল। কনকে সপোন নে দিঠক এতো গম ধৰিব নোৱাৰিলে। উধাতু খাই গৈ দেখে গণেশ কুমাৰে ১০ লক্ষ টকা কনকৰ নামে পৰিশোধ কৰি তাৰ বন্ধিধৰম কনকলৈ আগবঢ়াই দি কৈছে, "হোৱা ভাই! তোমাৰ বন্ধিধ লোৱা।" "কি গণেশ!" বুলি কনকে গণেশক বুকত সাপট মাৰি ধৰিল। "নাই ভাই! মই মোৰ কৰ্ত্তব্য কৰিছো। মোৰ টকা পকাত তুমি সৰ্ব্বস্বহাৰা হবা কিয়?" দুয়ো কথা পাতি বাটে বাটে গৈ আছে। কনকে শুনিছে, "ভাই! মোৰ এই দুৰ্দ্দশাৰ কথা তুমি ক'ত শুনিলা?"

"আজি প্ৰায় ৫ বছৰৰ মুৰত ঘৰলৈ আহি জানিব পাৰিলো তুমি সৰ্ব্বস্বহাৰা হৈছা। আনকি, তোমাৰ থকা ঘৰ পৰ্য্যন্ত নীলামত যাওঁ যাওঁ। তেতিয়া আৰু বৰ নোৱাৰিলো। আহি দেখো কাৰ্য্য প্ৰায় শেষ; সেই কাৰণে তোমাক লগ ধৰিব পৰা নাছিলো।"

"ভাই! তোৰ এই ধাৰ কোন জনমত শুজিব পাৰিম?" "মই তো ধাৰলৈ দিয়া নাই" বুলি গণেশে হাঁহিবলৈ ধৰিলে। তাৰ অৰ্থ কনকে কি বুজিব! নীৰব প্ৰেমিকে যেতিয়া শুনিলে তাৰ অভিষ্টদেৱী দেৱী শিৰিজাৰ সকলো গ'ল—আৰু বৰ নোৱাৰিলে। আহি নীৰবে দুবৰ পৰাই যাতে শিৰিজা সুখত থাকে তাৰ কাৰণে নিমান এটা মহৎ কাৰ্য্য সম্পন্ন কৰি আজি গণেশকুমাৰৰ হাঁহি।

কিছুদূৰ গৈ গণেশ কুমাৰে কনকৰ পৰা বিদায় ললে। কনকে ববকৈ ধৰাতো গণেশ কুমাৰ কনকৰ ঘৰলৈ নগল।

কনক হাঁহিমুখে ঘৰ সোমাল। শিৰিজাই চকুলো টুকি অহি সুধিলে—"কি হল?" কনকে কলে—"গণেশকুমাৰে আমাৰ হৈ টকা পৰিশোধ কৰিলে। আমি মুক্ত। আৰ চিন্তা নাই,"

"কোনে?"

"গণেশকুমাৰে।"

"গণেশকুমাৰে!" বুলি শিৰিজা তথা লাগিল। বাহিৰত যেন দেখা পালে সেই গণেশকুমাৰৰ প্ৰতিমূৰ্ত্তি! কথাষাৰ উচ্চাৰণৰ লগে লগে শিৰিজাৰ অন্তৰত বাজি উঠিল, "গণেশ ইমান মহান, ইমান উদাৰ, ইমান ভালপোৱা তোমাৰ!"

—কিয়, কোনে কৰ?

মোৰ সোৱৰণী

—ৰায় ছাহাব শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা

মোৰ সোৱৰণীৰ আঁতি-গুৰি মোৰ স্বৰ্গীয়া এনাই-দেউতা। তেওঁৰ কথা জিল্‌মিল্‌কৈ মোৰ মনত পৰে। তেওঁ শাওঁৰবীয়া, ওখ আৰু লাহী আছিল যেন মনে ধৰে। চকুজুৰিলৈ মনত পেলাই চালে অনুমান হয় যে, তেওঁ এগৰাকী তেজস্বিনী আৰু বুদ্ধিমতী নাৰী আছিল। মানৰদিনত এনাইদেউতা পাটগাভৰু আছিল বুলি তেওঁৰ সমবয়সীয়া বুঢ়া বুঢ়ী মানুহৰ মুখে শুনিছিলোঁ। মানে হেনো তেওঁক খুটাত বান্ধি শুং-লগা বাঁহগাজেৰে মৰিবাই মৰামুছাকৈ এৰি যায়; তথাপি দেউতাকে পুতি থোৱা ধন-বস্তু তেওঁ দেখুৱাই নিদিলে। মাতৃফৈদীয়া পুথাও-দেউতা ৺ৰঙা কেৰ্ৰ (৺এনাইদেউতাৰ স্বামী) অকালত ঢুকুৱাত এনাইদেউতাই দুটী জীয়েক আৰু তিনটি পুতেকক বহু প্ৰবন্ধেৰে ডাঙৰ দীঘল কৰে। জীয়েক দুটী যই মোৰ "আই" আৰু "সৰু আই"। মোৰ পিতৃ-দেউতা ৺ঘিণাৰাম গোহাঞিবৰুৱা ৰংপুৰৰ (এতিয়া শিৱসাগৰ) জাঁজিৰপৰা আহি উত্তৰ-লক্ষীমপুৰত থিতাপিত হোৱাৰ পাচত তেওঁ পোন্ প্ৰথমে "আইক" বিয়া কৰায়; তাৰ বছৰ চৰেকৰ পাচত, "সৰু আইক" বিয়া কৰায়। মই সৰু আইৰ চতুৰ্থ সন্তান।

"আই"ৰ কথা মোৰ ভালকৈয়ে মনত পৰে। মোৰ শিশুকালতে তেওঁ ঢুকায়; তথাপি তেওঁৰ আকৃতি-প্ৰকৃতিৰ বিষয়ে মই স্বৰূপকৈ কব পাৰোঁ। তেওঁ ৰাঙলী, ওখ আৰু লাহী আছিল। তেওঁ আজলী কোমলমতীয়া আৰু ঢিলা বাঘৰ তিৰোতা আছিল। কিহবাত খুন্দা খাই, আইৰ বাওঁভৰিৰ নাকডেওনাত ঘা লাগি শুকাই এটা চিন্ ৰৈছিল; সেই চিন্‌টি এতিয়াও মোৰ মনত পৰে। এইখিনিৰেপৰা মোৰ সোৱৰণী সোঁত চিৰচিৰীয়া যদিও, নিছিগা ধাৰেৰে বৰলৈ ধৰে।

এনাইদেউতা আৰু আইক দেখা হে মনত পৰে; সিবিলাকৰ মৰণৰ কথা মোৰ মনত নপৰে। আচলতে, মৰণ নো কি, বোধ কৰোঁ, তেতিয়া মোৰ বোধেই নহৈছিল। কিন্তু, আইৰ পঞ্চম সন্তান, মোৰ সমনীয়া, ৺ভদ্ৰসেন ককাইদেওৰ মৰণৰ কথা মোৰ অলপ অচৰপ মনত পৰে। তেওঁৰ সেই অকাল-বিয়োগৰপৰা হে মোৰ জ্ঞান হল যে, মানুহ নৰিয়া পৰি মৰে; মৰিলেই নেদেখা হয়। এওঁতকৈ অলপ আগেয়ে সৰু-আইৰ পঞ্চম সন্তান, মোৰ সহোদৰা এটীৰ কেঁচুৱাতে মৰণ হোৱা মোৰ জিল্‌মিল্‌কৈ মনত পৰে। এই দুটি মৰণ দেখিলোঁ, কিন্তু সেইবাবে শোক-বেজাৰ কৰাৰ কথা কব নোৱাৰোঁ; মাথোন ৺ভদ্ৰ ককাইদেওৰ লগ হেৰুৱাই মনত বিষাদ লগা যেন গম পাইছিলোঁ। মৰণত পোন-প্ৰথমে বেজাৰ পাওঁ সৰু আইৰ অষ্টম সন্তান মোৰ চেনেহৰ সহোদৰ ভাইটি ৺হলিৰামৰ অকাল মৃত্যুত। চকুৱে-চকুৱে চাই থাকোতেই চকুৰ আগতে মানুহ-মৰা দেখাও মোৰ জীৱনত সেয়ে প্ৰথম। ৺হলিৰাম সৰু-আইৰ কোলাত ঢুকাওঁতে, জীৱ বাজ হবৰ বলিকা মই তাৰ চকুলৈ চাই আছিলোঁ; চকু দুটি কল্‌মতিৱাৰ ঠগতে ৰল!

জন্মপত্ৰিকা বা সোৱৰণী।—৺ঘিণাৰাম গোহাঞি বৰুৱা দেউতা আৰু ৺লক্ষ্মী দেৱী আইতাৰ পৰম পৱিত্ৰ মিলনৰ ফল স্বৰূপ উত্তৰ-লক্ষীমপুৰৰ নকাৰী মৌজাৰ নকাৰী গাওঁৱত, ১৭৯৩ শকৰ ৯ আঘোণত, মঙ্গলবাৰে মাজনিশা মোৰ জন্ম বুলি মোৰ সোৱৰণী বা জন্মপত্ৰিকাত লিখা আছে; তাতে 'কন্যা ৰাশিস্থিত শ্ৰীপদ্মনাথ' বুলি মোৰ নামকৰণ লিপিবদ্ধ হৈছে।

পিতৃ-মাতৃ।—মোৰ ৺পিতৃ-দেউতাৰ জন্মস্থান পুৰণি ৰংপুৰ চহৰৰ জাঁজি অঞ্চলৰ জকাইচুক মৌজাৰ শিৰ



আৱাহন

'নিজানত'

শিল্পী—শ্ৰীপ্ৰমথকুমাৰ বসু।

লক্ষ্মীবিলাস প্ৰেস, লিমিটেড।

গুৰি গাওঁ। তেওঁ, ৺থাওকক বুঢ়াগোহাঞি ডাঙ্গৰীয়াৰ দ্বিতীয় পুত্ৰ, ৯ৰাণ ডেকাবৰুৱা ফৈদৰ মূলমানুহ, ৺কুন্‌কাই গোহাঞিবৰুৱাৰ মুমলীয়া বংশধৰ। পিতৃ দেউতা চেমনীয়া কালতে ঘটনাচক্ৰত উত্তৰ লক্ষীম্‌পুৰলৈ আহি থিতাপিত হয়। এই মহকুমাতে তেওঁ ৪৲ টকীয়া দৰ্ম্মহাৰপৰা আৰম্ভ কৰি বিবিধ চৰ্কাৰী চাকৰিত সুখ্যাতি লাভ কৰে। সদৌশেহত মোৰ জন্মশঁকত তেওঁ মৌজাদাৰ-বিষয়া হয়। আৰু, অন্তিম কাললৈকে বৰ প্ৰতিপত্তিৰে সৈতে সেই মৌজাদাৰী বিষয়-বাৰ ভোগ কৰি, ১৮২৯ শঁকৰ ৺শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী তিথিত ৮৩ বছৰীয়া বয়সত মোৰ পিতৃ-দেউতা স্বৰ্গী হয়। মোৰ ৺মাতৃদেৱী কোৱঁৰ বংশজ নেওগ ফুকনৰ ঘৰৰ জীয়াৰী। এখেতৰ আঁতি-গুৰিৰ বিষয়ে ওপৰতে উনুকিয়াই অহা হৈছে। ১৮৪৭ শঁকৰ ৺শ্ৰীশ্ৰীসৰস্বতী পূজাৰ দিনা, শ্ৰীপঞ্চমী তিথিত, ৯১ বছৰ বয়সত মোৰ মাতৃদেৱী স্বৰ্গী হয়।

আমাৰ আগৰ পৰিয়াল :—মোৰ ভালকৈ মনত পৰালৈকে মোমাইদেও তিনি গৰাকী আমাৰে সৈতে একেলগে একেটা চৰুতে খোৱা একেটা পৰিয়ালৰ ভিতৰ হৈ আছিল। তেতিয়া সদৌমুলি আমি ডেৰকুৰিমান মানুহ একেটা চৰুতে খোৱা এটি আনন্দময় পৰিয়াল হৈ আছিলোঁ। সেই চৰুৰ গৰাকিনী আৰু ভাই-বোৱাৰীহঁতৰ ওপৰত কৰ্ত্তৃত্ব চলোৱা শাহু আছিল মোৰ 'সৰু আই''; আৰু সেই পৰিয়ালৰ মূল মানুহ আছিল মোৰ দেউতা। বৰমোমাইদেৱ আৰু মাজিউ মোমাইদেৱৰ বিয়া মোৰ জন্মৰ পূৰ্ব্বে হৈছিল; সৰু মোমাইদেৱৰ বিয়াৰ কথা অলপ-অচৰপ মোৰ মনত পৰে। কালত, লৰাছোৱালীৰে সৈতে সিবিলাকৰ সুকীয়া সুকীয়া পৰিয়াল শকত হৈ উঠাত, মোৰ দেউতাই সিবিলাকক বেলেগাই ঘৰবাৰী কৰাই দি, তিনিওকো তিনিঠাইত, সুকীয়া সুকীয়াকৈ পাতিলে।

আঁতি-গুৰি।—সিমানলৈকে, মোৰ পিতৃ দেউতাৰ ওপৰে আমাৰ উপৰি পুৰুষৰ বিষয়ে মই ভালকৈ জনা নৌ হওঁ। মাথোন, মাজে-সময়ে জাঁজিৰপৰা ৺কানুৰাম গোহাঞিবৰুৱা নিচাওদেৱ আমাৰ ঘৰলৈ আহিলে আমি সপৰিয়ালে আনন্দ উপভোগ কৰাৰ ছেগত মই বিশেষকৈ উৰুলীকৃত হোৱা মোৰ মনত পৰে। এখেত নিচাওদেৱ মোৰ পিতৃদেউতাৰ সহোদৰ অগ্ৰজ। পাচলৈ, জাঁজিৰপৰা আমাৰ বংশীয় কুটুম্বাদি আমাৰ ঘৰলৈ সঘনে অহা মোৰ ঘনাই মনত পৰে। সিবিলাকৰ ভিতৰত ৺জয়নাথ বুঢ়াগোহাঞি পুথাও-দেউতা আৰু ৺'মেধি' গোহাঞিবৰুৱা পুথাও দেউতাই অহা খোৱা কৰাৰ কথা মই ভালকৈ কব পাৰোঁ। ইবিলাক দুয়োগৰাকি মোৰ দেউতাৰ দদাইদেৱাক হয়। "মেধি" পুথাওদেউতা তিপমীয়া গোহাঞিবৰুৱাৰ নাতি। এখেতৰপৰাই মই পোন্ প্ৰথমে আমাৰ বংশাৱলীৰ বিষয়ে আভাস পাওঁ। তেতিয়া মই মজলীয়া ছাত্ৰবৃত্তি স্কুলৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ। মোৰ দেউতাৰ অনুৰোধ মতে এখেতে নিচেই শেহৰবাৰ আমাৰ ঘৰলৈ আহোঁতে আমাৰ বংশাৱলীৰ যিখন সাঁচিপতীয়া পুথি লৈ আহিছিল তাৰপৰা মই এটি বংশাৱলী টোকা ধৰি ৰাখিছিলো। তাৰপৰা দুকুৰিমান বছৰৰ পাচত, ইং ১৯১৭ চনৰ ডিচেম্বৰ মাহৰ শেহ সপ্তাহত, মই শিৱসাগৰত বহা "অসম সাহিত্য সম্মিলনী"ৰ পোন-প্ৰথম বৈঠকত সভাপতিৰ বাব লবলৈ যাওঁতে, ইং ১৯১৮ চনৰ ৩ জানুৱাৰী তাৰিখে, দিলিহি গোহাঞি গাৱঁত, ৺তীৰ্থেশ্বৰ গোহাঞি ফুকন ডাঙ্গৰীয়াৰ সভাপতিত্বত, বুঢ়াগোহাঞি বংশধৰসকলে পতা "বুঢ়াগোহাঞি বংশাৱলী সবাহ"ত * হোৱা আলোচনাৰ সিদ্ধান্ত অনুযায়ী, মোৰ সেই টোকাকণ তলত আঁচি দিয়া মতে পৰিশোধিত কৰা হয়।—

* শিৱসাগৰৰ টাউনত "অসম-সাহিত্য-সম্মিলনী" আৰু মেচাগড়ত 'আহোম-সম্মিলনী" পাৰ হৈ যোৱাৰ পাচত, দিলিহি গোহাঞি গাওঁতে এই "বুঢ়াগোহাঞি-বংশাৱলী-সবাহ" বহিছিল; ইয়াত উপস্থিত সমূহ সমজুৱাৰ স্বাক্ষৰি চহিৰে সৈতে কাৰ্য্যবিৱৰণৰ আচলখন টোকা সম্প্ৰতি মোৰ হাতত মোৰ "তথ্যসংগ্ৰহ" টোপোলাত আছে।



শিশুকাল —মোব মনত পবাবেপবা মই মোব চেনেহী বাইদেও ৺আহিন্ত্রী দেবীব কোলাত। তেওঁব কোলাতে মই ডাঙব-দীঘল হওঁ। সেই আপাঃতে তেওঁক মোব বাইমাক বুলিছিল। আন কি, পঢ়াশালিত নাম লগোবাব পাচতো মই মোব বাইদেওব কোলাব-কেঁচুবা আছিলো। তেওঁব মায়াত মই এনেভাবে বন্দী হৈছিলো যে, ৺কৃষ্ণানন্দ গোহাঞি ফুকন ডিনীহিদেবৈলৈ তেওঁক উলিয়াই দিওা বিয়াতো মোক মোব সেই মাতৃ-প্রতিম বাইদেওব লগ কেবে একবাব নোবাবিলে,—কস্তাব দোষাত উঠি মগো দবাব ঘব পালোগৈ; সেই আপাঃতে মোক "যৌতকত-যোৱা" বুলি সমনীয়াই ছেগ বুজি পেলোই কবিছিল।

মোব ভাগ্যব বলত মই যেনে বাইদেউ তেনে ডিনীহিদেও পাইছিলোঁ। মোব অগ্রজপ্রতিম সেই ভোলানাথ ডিনীহিদেউ ৺কৃষ্ণানন্দ গোহাঞি ফুকন ডাঙবীয়াব বৰল ভ্রাতৃস্নেহত মই দদাব ওপজি দুখ বহিলোঁ। বাস্তবতে, তেখেতেই মোব জীবন-প্রবাহব ঘাৰ ওঁবদিওঁতা; তেখেত আৰু তেখেতব প্রিয়তম বন্ধু ৺ফণিবৰ চলিহা ৺ৰঘবাহুৰ ডাঙবীয়া মোব শিশুকালব আহিপুৰুষ,—তেখেতলকল দুজনবপবা পোৱা প্রাথমিক শিক্ষাই মোব কুমলীয়া অন্তবত জযে-জয়ে সাহিত্যব অনুবাগ সঞ্চাব কবে।

লবাকালব লগবীয়া।—নিচেই লবাকালত চুবুবীয়া লবা-ছোবালী, তাব পাচত গঞা-গবখীয়া লবা, তাব পাচত পঢ়াশালীয়া ছাতব, তাব লগত বন্ধুকব। সমনীয়া লবা, তাব লগতে চহবীয়া চুবুব লবা, এইবিলাক মোব লবাকালব লগবীয়া আছিল। সিবিলাকব লগত মোব অপাব আনন্দ; সেই আনন্দতে মই সততে আপোন-পাহবা হৈ উমহি ফুবিছিলোঁ। মোব সেই সুখ-সঙ্গব চিন্-চাব মোব সোৱঁবণীব সেই ছোবাত চামে-চামে খোজখাই বৈছে; মোব মনত সেইবোব আজিকোপতি ফটুফটীয়াকৈ অতীতব আঁচাবত জিলিকি আছে।

লবাকালব বং-ধেমালি।—লবাকালব লগবীয়াব লগত নানা ওবহব বং-ধেমালি কবি মই সদায় উৎফুল্লীকৃত হৈ ফুবিছিলোঁ। খোৱা-শোৱা, লিখা পঢ়া আৰু বং ধেমালি মোব মানত সমান প্রিয়কাম্য আছিল; কেইওবিধ কাৰ্য্যত মোব সমভাবে বাপ্‌ চবিছিল। ঘিণা খেলাত, লাটু খেলাত, খলি-খেলাত, কড়ি খেলাত, কবৰী খেলাত, বেত-বল খেলাত, চোৰ-পুলিচ খেলাত লৰ-ধবাত, জাপিত্ত, এনেবোব ধেমালিত মোব বৰ বাগি আছিলোঁ। এইবোব খেল-ধেমালিত মোব পৰ্গতালিব চিন ৰঙ্গপুৰ লগবীয়াবিলাকে মোক সততে সেই-সেই খেলত প্রতিযোগী এপক্ষব "ঘৰই" পাতি লৈছিল। খেলব নিয়ম পালনত মোব একান্ত বতি আ ছল; কোনো পক্ষব কোনো খেলুবাবে সেই নিয়ম ভাঙিলে বা তাক পালন কবাত ত্রুটী দেখুবালে মোব মানত সি বৰ অসহ্য বোধ হৈছিল; তাব যথোচিত সংশোধন বা প্রতিকাব নাপালে মই খেলকে এবি ওচি যাওঁ।

লবাকালব বাপ্‌ লগা কামলৈ ধাউতি।—ববলীবোৱা কামলৈ মোব বৰ ধাউতি আছিল। পুথি ফলি নোৱাব ওপবকি সময়ব সবহভাগ মই নৈ, বিল, পুখুবিত,—বিশেষকৈ পোতা-পুখুবীত * ববলী বাওঁতে কটাইছিলোঁ। চিপত পুথি, ডবিকিনা, লাচত, গবৈ, চেঙ্গেলী তোলা হাতত সুখ ধুনুহব মই এতিয়াও অনুভবত ভোগ কবোঁ! আন-আন বিধব মাছ-ধবা মনোবঞ্জক কামলৈকো মোব প্রবল ধাউতি আছিল। আন কি, চাকব-নাকবব আঁবত গা লুকুবাই পাব হৈ গৈ ঠুলা-চেপা পতা, আনব ওচবত উমেবাবী কবি জাল জুলুকি বাই চোবা মুবদি অভ্যাসবপবাও মই বাদ পবা নাছিলোঁ। জুলুকিত জযে-জয়ে এদিন এটা বাটমাছ ধবি যি অপাব আনন্দ অনুভব কবিছিলোঁ, তাৰেই আজি তিনি কুবিমান বছবেও মই পাহবা নাই! জুলুকিব দেখব মাজত বাটমাছটোব সেই খলখলনি, ফবফবনি, চবচবনি মোব কাণত আজিও যেন বাজি উঠে! নৈ, বিল, পুখুবীত লগবীয়াবে সৈতে সাঁতোবা নাবোবা মোব লবাকালব অন্যতম কিন্তু অত্যুত্তম প্রিয়কার্য্য আছিল। চেনমুীয়া আৰু চফল ডেকাকালত, তাব ফলস্বৰূপ, মই কাহ-সাঁতব, চিলনী-সাঁতব, খিয় সাঁতব, বাঘ-সাঁতব এই চাবিবিধ সাঁতবত পাকৈত হৈ উঠিছিলোঁ। ধলনী পথাবত চবি থকা উদলীয়া ঘোঁবা-ঘুবী ধবি, তবা পিটিয়াই তাব বৌধাবে সৈতে লেকাম লগাই লৈ পথাবত, গাওঁবাটত, বাজবাটত ঘোঁবা মেলাই ধেমালি কবা মোব এটা বৰ ডাঙব বাগি বা বোগ আছিল। সেই চেমনীয়া কালত মই ঘোঁবা চেৱাবিত এনে পাকৈত হৈ উঠিছিলোঁ যে, চাহাবসকলব বছেবকীয়া "ঘোঁব দৌড়" মেলা এখনত উচ্চব লক্ষ্যমুপুৰব সদো চাহ-বাগিচাব চুপাবিন্‌টেনডেণ্ট মিঃ জন ষ্ট্ৰাৰ্ট 'বব চাহাবব' এটা বৰ তেজী ঘোঁবাত 'জাচোবান' চবি, লগব আন পাঁচোটা চাহাব ঘোঁবা-চেৱাবিক পিচ পেলাই সৰ্ব্বপ্রথম হৈ আগ বাঢ়ি বঁটা ধবিছিলোঁ। গছত উঠাও এটা মোব অভ্যাসত অহা প্রীতিক্রীড়া আছিল; তাব ফলত মই লবি গৈ গাঁত উঠাত পাৰ্গত হৈছিলোঁ, আৰু ডাল্লনী নোহোৱাকৈ উঠি কাকিনী গছবপবা তামোল পা বব পাবিছিলোঁ। বিহুলে মোব বৰ ধাউতি। চ'ত-বৈ গৰু দোমাহোঁব এপখমানব আগবেপবা মোব গাত "বিহু-বিহু" লাগেহি। দোমাহোঁব দিনা মাহহালধিবে সৈতে নোৱাই লৈ, আমাব ঘবব আগফালব জানত বা পিচফালব নৈত গৰু গাই ধুবাবলৈ নিওঁতে গবখীয়াব লগ লাগি গৈ, গৰু-গা ধুউবাব পাচত মুকলি পথাবত খেদি খেদি 'লাও খা, বেঙেনা খা; কেবেলা খা; মাব ৰক, বাপেব ৰক, তৰহ হবি বব বব গৰু" এই গবখীয়া মন্ত্রোচ্চাবণ কবি নিমল আনন্দ উপভোগ কবা সুখ সোৱঁবণীয়ে মোব হিয়া আজিও উৎফুল্লীকৃততকৈ নচুবায়! বিহুব মাহ হালধি মাঁহি গা ধুই বিশুদ্ধ হোৱা, এসন্ধ্যাহমান আগবে পবা যুগুত কবি খোৱা নতুন তবা-পথা মাহ হালধিবে নোৱাই তুলসীপাত লগাই তাক পবিত্র কবা, সকিয়া পদুলিমুখত আৰু গোহালি মুখত জাগ দি থৈ হাতত মাঘিতঠীব বিছনা আৰু দীঘলতিব এচাবিবে আগবঢ়াই আনি গোহালিত ন-পখা সিঞ্চাই গৰু গাইক বিহু-পিঠা খুউবা আদিব আয়োজনত যোগ দি কি যে নির্ম্মল সুখ অনুভব কবিছিলোঁ! পিচদিনা—মানুহ বিহুদিনা জ্ঞাতি আৰু আত্মীয় কুটুম্বাদিক বিহু জলপান খুউবাব কাৰবাবত আলপৈচান ধবা, আৰু আবেলি বেলিকা সৰু মানিমুনি আদি ঘাঁহপাত ছিঙ্গি আনি চোতালত মবগা-পাতি থৈ সকিয়াব হুঁচবি আগমন প্রতীক্ষা কবাত গাব উচল পাচল আৰু মনব উগুল খুগুল ভাব, ঘবকুবা হুঁকাবিযোবা আহি পোবাব জাননী স্বৰূপ ঢোলব উকণীব শুবগুবণিত মোব বুকু শুবশুবকৈ বাজি উঠা, হুচবি-কীর্ত্তনব লেহেতীয়া আৰু উধাও হোবা সুবত মোব প্রাণ উকণীকৃত হোৱা ইত্যাদিব সুখ

* আপঃডালব বাৰ বা এবা-পবা পুখুবী,—যি খবালি তব পানি যাব বা পিচনিত পবিণত হয় আৰু বাবিষা পানীবে চপঃকালীয়া হৈ উঠে।

সোৱঁৰণীয়ে আজিও মোক উলাহিত কৰে! শিলিখা-তলীয়া বিহুখোলাত গঞা জীয়াৰীইতে টকা-চাপৰিৰে পতা বিহুত থমকাথমকি চেও ধৰা নাচোন চোৱালৈ আৰু তৰ চেৰে চোৱ তাল মিলাই গোৱা বিহুনাম শুনালৈ মনত পৰিলে আজিও কাণত শুত লাগি চকু পিৰিকিয়াবলৈ ধৰোঁ। বিহুহাটতো মোৰ প্ৰৱণ পীৰিতি; সাতবিহুত সাদিনলৈ কণী-যুজোৱাখেলত মই উন্মত্ত হৈ ফুৰি ছিলোঁ। এই যুজত হলে মোক কেৱে হকৰাৰ নোৱাৰিছিল; আৰু চিন্‌স্বৰূপ মোৰ হাতত কইবাটাও সাতবিহুৰ সৈয় কণী জমা হৈছিল। বন্দুকেৰে চৰাই-মৰা আৰু পহু চিকাৰ কৰা বাগিয়েও মোক মতলীয়া নাৰাকৈ এৰা নাই। ঘটনাক্ৰমে এসময়ত এদিন জাঁজিত ৺জয়নাথ বুঢ়াগোহাঞি পুথাও দেউতাৰ ঘৰলৈ হাতীত উঠি গৈ থাকোঁতে বাটত এডবা চোমনিৰ মাজত এজোপা গছৰ ডালত যোৱা-পাতি পৰি থকা হাইঠা চৰাই এযুৰিলৈ টোৱাই বন্দুক ফেৰ কৰাৰ ফলত মাইকী চৰাইটি ধুপুচ্‌কৰে সৰি পৰিল, মতাটি বিসুৰীয়া হৈ অকলশৰে উৰি কৰবালৈ গুচি গলগৈ। সেই দৃশ্যই মোৰ প্ৰাণত কি যে এটা অভাবনীয় বিৰকতিৰ ভাব ওপজালে, সেই দিন ধৰি মই আৰু চৰাইলৈ বুলি বন্দুক ধৰা নাই পহু-চিকাৰতো ডেকাকালত কেইবাটাও পহু গুলিয়াই মাৰিলোঁ। পিচে, এসময়ত এটা উটা-বুৰা বানপানীত, আমাৰ "জয়মতী" হাতীত উঠি, উত্তৰ-লক্ষীমপুৰৰ পানীগাওঁ ডাকবঙলাৰপৰা পচিমমুখীয়াকৈ হাবিত সোমাই, পহু বিচাৰি গৈ গৈ এটা অঠাৱনী বড়ুৰি পাৰ হৈ এখন গেজেপনি হাবিত এটা উঁইহাফলুৰ ওপৰত থিত্‌লৈ থকা অথন্তৰ মাইকী পোৱালি শৰপহু এহালি দেখি উত্ৰাৱল হৈ অথালি-পথালিকৈ গুলিয়াবলৈ ধৰিলোঁ; ফলত পহুহালি হাফলুৰ ওপৰৰপৰা দুয়ো দুগাতে পানীলৈ ধুপুচ্‌-ধুপুচ্‌কৈ বাগৰি বাগৰি পৰিল! তাৰ পাচত, চিকাৰ লাভত আনন্দিত হৈ ঘূৰি আহি আকৌ ডাকবঙলা পালোহি। মই এখন হেলনীয়া মাচিয়াত চিট্‌ হৈ ক্ষন্তেক জিৰাওঁতেই ইফালে লগৰ মানুহে পহু কটা-ছিঙ্গাৰ আয়োজনত ধৰিছে, এনেতে ওলাই আহি চাওঁ যে সেই ভেলেঙ্গী শৰজনী আৰু চাৰি আঙ্গুলীয়া ছালশিঙ্গীয়া পোৱালিটি দুয়ো মিলি এযুৰি ধুনীয়া মৰম-লগা মাইকী পোৱালি! তাৰোপৰি, মাইকীজনীৰ পেটত আৰু এটি অতি ৰূপহ আৰু মোহ-লগা নোমাল পোৱালি ওলাল!! মোৰ চকু মুদ্‌খাই আহিল; মই আৰু তাত সৰহপৰ বৰ নাৱাৰিলোঁ; তাৰে পহু তাতে এৰি তৎালিকে আকৌ হাতীত উঠি মই অনতিপলমে ঘৰলৈ গুচি আহিলোঁ। সেই দিন ধৰি মই পহু-চিকাৰলৈ আৰু ওলোৱা নাই; এই জীৱনত আৰু ওলোৱা নহব হবলা,—নহওক যেন, এই বাঞ্ছা।—ক্ৰমশঃ

নাও

—শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী

আদিযুগত নৈ পাৰ হব লাগিলে, নৈত উটি যোৱা ডাঙৰ গছৰ গুৰিত উঠি হাতভৰিৰে চৰিয়াই মানুহে পাৰ



পঞ্জাৱৰ শতদ্ৰু নৈ পাৰ হবলৈ গৰুম হব ছালৰ নাও ঠিকঠাক কৰিব লাগিছে।

হৈছিল। তাৰ পিছত দেখিলে ইকৰা আদিৰ 'মাউৰ'ত উঠিও যাব পাৰি। আৰু দেখিলে যে কাঠ বাঁহৰ ভুৰ বান্ধিও নৈৰ ইপাৰ-সিপাৰ হব পাৰি। কিন্তু ই পানীত লাহে লাহে চলে দেখি তাৰ আগ-গুৰি চোকা কৰি ললে। এনে নাও বা ভুৰ আজিকালিও মাদ্ৰাজৰ মাছুৱৈহঁতে সাগৰত মাছ মাৰোঁতে ব্যৱহাৰ কৰে। ইফালে বঠা, ডাঁৰ, লগী আৰু পালৰ ব্যৱহাৰৰো উদ্ভাৱন হল। এই নাওবোৰত পানী সোমায় দেখি কাঠৰ জোৰাবিলাক মাৰিবলৈও দিহা হব ধৰিলে। আনফালে ভুৰবিলাকত যাতে ঢৌৰ পানী নোসোমায়, তাৰ বাবেও কেউফালে গছৰ ডালেৰে বেৰ দিবলৈ ধৰিলে। লগে লগে কোনো কোনো ঠাইত সেই ডাল বা খুটা খুলি বা জুইৰে পুৰি চুচিনাও আৰু হলংনাও সাজিলে।

এনেকৈ পানীত বুৰি যোৱা গছৰপৰাও নাও সাজিব ধৰিলে। তাৰ পিছত এই নাৱৰ লগত তক্তা জোৰা দি বা অকল তক্তাকে জোৰা খুৱাই নাও সাজিবলৈ যুগুত কৰিলে। ক্ৰমোন্নতিৰ লগে লগে ডাঙৰ ধুনীয়া নাৱো সজা হল আৰু শেহত ইঞ্জিন খুউৱা জাহাজ ওলাল। জাহাজ ওলাল যদিও, য়ুৰোপ-আমেৰিকাৰ কোনো কোনো ঠাইত এতিয়াও ভুৰৰ আদৰ আছে। আফ্ৰিকা আৰু এচিয়াত আছেই। বিজ্ঞানৰ বলত আজিকালি তীখা, লো আদিৰ পাতেৰেও জাহাজ সাজে। চীনদেশত কাকতৰো নাও আছে হেনো। ছিমেণ্ট গোটাই পকীঘৰ সজাৰ দৰে জাহাজ হব লাগিছে বুলিও শুনা যায়।



বিফ্‌ীপৰ নাও

ভাৰতৰ বহু ঠাইত আজিকালিও আদিম যুগৰ নাৱেই চলি আছে। অসমৰ নাৱৰ তেনেই দুৰৱস্থা। ই এতিয়াও

ক্ৰমোন্নতিৰ বাটত খোজ দিব পাৰা নাই। হৰিদ্বাৰৰ উজনিৰ মানুহবিলাকে নাৱৰ অভাৱত কেৰাচিন তেলৰ টীন কেইটামান উবুৰি খুৱাই ওপৰত বাঁহ বান্ধি ভুৰৰ দৰে কৰে। তাৰেই সিহঁতে নৈ-নলা পাৰ হয়। গয়াৰ ফল্গুগঙ্গা বাৰিষা দোকোলটঁকা হলে, তাত পাৰ হবলৈ মানুহবিলাকে মাটিৰ কলহ কেতবোৰ উবুৰি কৰি বাঁহ বান্ধি ভুৰ সাজে। পঞ্জাৱৰ কিছুমান ঠাইত, অতি পুৰণি



আদিম অষ্ট্ৰেলিয়াবাসীয়ে হলংনাও সাজিছে

কালৰেপৰা, গৰু-ম'হ আদি ডাঙৰ জন্তুৰ ছাল সি এবিধ নাও সাজে। তাতে উঠি নৈ পাৰ হোৱাৰ পিছত আকৌ তাক ঘৰলৈ লৈ যায়। শুনিবলৈ আচৰিত, আজিকালিও বোগদাদ অঞ্চলত মটীয়া টৌত উঠি মানুহে য়ুফ্ৰেটিছ আৰু টাইগ্ৰীছ নৈ পাৰ হয়। অৱশ্যে তাত কাঠৰ ডাঙৰ নাৱো আছে। চীনদেশৰ পোতশিল্পলৈ চালে অবাক হব লাগে। তাত উন্নত ধৰণৰ জাহাজ সজা হয়। চীনদেশতে পোন-প্ৰথম সমুদ্ৰযাত্ৰা আৰম্ভ হৈছিল বোলে।

আমাৰ দেশত কিন্তু তাহানিকলীয়া মাদ্ৰাজী নাৱৰ দৰে তক্তা বা কাঠ জোৰা দিয়া নাৱৰেই এতিয়াও চলন্তি আছে। তক্তাবোৰ জোৰাওঁতে কোনো ঠিলা বা কজা ব্যৱহাৰ নকৰে। নাৰিকলৰ জৰী কিম্বা আন কিহবাৰ জৰীদি সিয়ে। যি ঠাই ওখ হব লাগে সি চাপৰ আৰু যি ঠাই চাপৰ হব লাগে সি ওখ হয়। দুটা বাঁহ মেৰাই



টৌত উঠি টাইগ্ৰীছ নৈ পাৰ হব ধৰিছে

ৰচি কৰি তাতে শিল এটা বান্ধি নঙৰৰূপে ব্যৱহাৰ কৰে। কোনো কোনো এডলীয়া কাঠৰ গুৰিৰে সজা নাৱৰ ভিতৰ ফাল চালে কব পাৰি, আমাৰ প্ৰাচীন উপৰি পুৰুষসকলে নাও সাজোঁতে অনুন্নত অস্ত্ৰ আৰু যন্ত্ৰ ব্যৱহাৰ কৰিছিল; নাইবা জুইৰে কাঠ পুৰি গাঁত কৰি নাও সাজিছিল।



নাৱৰ ক্ৰমবিকাশৰ চৰম পৰিণতি—জাৰ্ম্মানীৰ সৰ্ব্বশ্ৰেষ্ঠ জাহাজ

কল্যাণময়ী

নাট—

—শ্ৰীযুত অম্বিকাগিৰি ৰায় চৌধুৰী

প্ৰথম অঙ্ক

প্ৰথম দৃশ্য

(মন্ত্ৰণাঘৰৰ একাষত চিন্তিত অথচ উত্তেজিতভাৱে চক্ৰধ্বজে ইফাল-সিফালকৈ খোজ লৈ আছে। এনেতে মন্ত্ৰী গৈ সসম্ভ্ৰমে হাতযোৰ কৰি উপস্থিত হলত, উদ্বিগ্ন-ভাৱে তৎপৰতাৰে মন্ত্ৰীৰ ফালে মুখ কৰি)

চক্ৰধ্বজ। মন্ত্ৰী !
কি ভয়ানক অৱস্থা দেশৰ !
চাৰিফালে অপূৰ্ণতা;
চাৰিফালে নিৰানন্দ,
দেশময় দীনতাৰ
প্ৰাণঘাতী দৃশ্য মাথোঁ দেখোঁ।
দেশময় অভাৱৰ তীব্ৰ অভিযোগ।
দৈৱৰ কোপত যেন অভিশপ্ত হৈ
প্ৰাণভৰা আনন্দৰ পৰা
সম্পূৰ্ণ বঞ্চিত হৈ পৰি আছে দেশ।
প্ৰজা আছে—প্ৰাণ নাই,
সম্পদ আছে—আনন্দ নাই।
দেশৰ বতাহ যেন সৰসতা এৰি
শুকাই আহিছে ক্ৰমে।
আনন্দ উলাহ ভৰা দেশৰ আকাশ
নিৰানন্দ উঠি যেন গধুৰ কৰিছে।
দেশৰ ই প্ৰাণহীনতাই—
অলপো আনন্দ মোক দিব পৰা নাই।
মন্ত্ৰী ! কোৱাচোন—
চেতনা সঞ্চাৰ কৰি দেশৰ প্ৰাণত,
আনন্দত পূৰ্ণ কৰি তুলিবৰ হকে,
আয়োজন কৰিছা কিমান ?

মন্ত্ৰী। মহাৰাজ ! দেশত সম্প্ৰতি
শিল্প, শিক্ষা, বাণিজ্যৰ উন্নতিৰ হকে,
ভাণ্ডাৰৰ বহুধন খৰচ কৰিছোঁ।
সামৰিক বিভাগকো
বেছি আৰু শক্তিশালী কৰিবৰ হেতু,
আয়োজন কৰিছোঁ অলপ।

চক্ৰধ্বজ। মন্ত্ৰী !
আনন্দবিহীন দেশ,
আনন্দত পূৰ্ণ কৰি তুলিবৰ বাবে,
সামৰিক শক্তি বঢ়াবৰ
কি নো প্ৰয়োজন আছে ?

মন্ত্ৰী। মহাৰাজ !
বিপুল সাম্ৰাজ্য এই ;
ভাবি ললে সাধাৰণ গৃহস্থালী যেন,
বহুত বিপদ আছে।
ইয়াৰ উন্নতি আৰু ৰক্ষাৰ হেতুকে,
সময়ে সময়ে,
এনে এটা আয়োজন কৰিব লাগিব,
যাৰ সফলতা মাত্ৰ
সামৰিক শক্তিতেই কৰিছে নিৰ্ভৰ।

চক্ৰধ্বজ। সামৰিক শক্তি যদি উঠে পূৰ্ণ হৈ
মানুহৰ উন্নতিৰ
সকলো সম্পদ দেখোঁ চুৰমাৰ হৈ
অশান্তিহে বাঢ়িব দেশত !

মন্ত্ৰী। মহাৰাজ !
দেশৰ অৱস্থা আজি আমাৰ চকুত
যিভাৱে পৰিছে আহি,
ই বৰ সঙ্কটজনক।

এযে ধন পাবে তুলি
আমার ছবীয়া দেশ
উন্নতির উচ্চ শিখরত।
নাইবা
ইয়ার পবাই দেশ,
ধূলি হৈ উবি গৈ,
অসমর মধুর অস্তিত্ব
লুপ্ত কবি নিব পাবে চিবকাললৈকে।
শিল্প, শিক্ষা, বাণিজ্য যদিও
উন্নতির প্রধান সম্বল,
নিবাপদে বক্ষা তাক কবিবর হেতু,
সামবিক ব্যবস্থাবো প্রয়োজন আছে।
সামবিক শক্তি আমি অবহেলা কবি
সমুলি নিশ্চিন্ত থাকি দেশর মাজত,
কবি বম উন্নতির নানা আয়োজন—
আন ফাল ছল পাই দুর্দান্ত শত্রুরে
দেশত সোমাই,
প্রাণ ঢালি কবি থকা ইমান যতন,
ভস্মসাৎ কবিব তেনেই।
মহাবাজ!
এনে কল্পনাত নাই একো সার্থকতা।

চক্রধ্বজ। সামবিক বিভাগর উন্নতি চেষ্টাত
বুকুভবা আনন্দব নাই আশীর্ব্বাদ।
সামবিক শক্তি, পাশবিক শক্তি।
এই শক্তি উঠে যদি
নির্ব্বিবাদে মুব তুলি—
পবিপূর্ণ আনন্দব শান্তিময় ফল,
কেনেদবে তুলিব দেশত?
সকলো শান্তির চেষ্টা চুবমাৰ কবি,
দেশভবি অশান্তিহে উঠিব দেখোন?
দেশময় দৈন্য দেখো বাঢ়িব পুনব?

মন্ত্রী। মহাবাজ!
বুকুভবা আনন্দ সম্পদ
বক্ষা কবা নহয় অকল,
লাভ কবি লব লাগিলেও,
দৈহিক শক্তিব বব প্রয়োজন আছে।
অশান্তিক শাসনেবে দমন নকবি,
তাব উত্তেজিত মুখব আগত,
শান্তিব দাপোণ ধবি
শান্তিব মোহিনী ছবি দেখাব খুজিলে,
নিশ্চয় নিবাশ হব।
মহাবাজ!
নকবিব পাবো আমি শক্তিব প্রয়োগ,
কিন্তু, অশান্তিক দমাবব
শক্তি থকা বব প্রয়োজন।
জগতত শান্তিবাদী নহয় সকলো।
দিন বাতি ভাবি চিন্তি আমি,
শান্তি লাভ কবিবব চেষ্টা কবি আছোঁ—
আনফালে আমাব শত্রুরে
আমাব শান্তির চেষ্টা
ব্যর্থ কবিবব বাবে,
দিন বাতি আছে ছল চাই।
নাজানে নে মহাবাজ! দিল্লীব সম্রাটে
সোণব অসম দেশ
পূর্ণ গ্রাস কবিবব হকে,
ভাবি আছে কিমান কৌশল?

চক্রধ্বজ। কিন্তু মন্ত্রী!
অশান্তিক অশান্তিবে দমন নকবি,
শান্তিব মুখত তাক মিলাব পাবিলে,
তেতিয়াহে আনন্দব পূর্ণ সফলতা।
মন্ত্রী!
কি কবিছা নোৱাবোঁ বুজিব—
কিন্তু,
আনন্দব শান্তিময় উজ্জ্বল আলোকে
দেশব সকলো ছিদ্র ভবপুব কবি,
তুলিব যেতিয়া দেশ নিপোটল কবি,
তেতিয়াহে সুখী হম মই।
যাওঁ মন্ত্রী!

চাওঁ গৈ ছদ্মবেশে,
দৈন্যতাত নিষ্পেষিত অন্তস্থা দেশব।
[লাহে লাহে ধীব খোজেবে প্রস্থান

মন্ত্রী। অমিল হলেও মত
এনেকুবা নৃপতিব অধীনত থাকি,
বুকুভবা সুখ আছে।
বজাব অন্তব যেনে,
পৃথিবীব সকলোবে তেনেকুবা হলে,
স্বর্গব মাধুবী ভবি,
জগতব দৈন্যমানে ওচবালে হঁতেন।
[লাহে লাহে ধীব খোজেবে প্রস্থান।

দ্বিতীয় দৃশ্য

(নগবব ওচবব গাওঁ এখনব একাষ।
উত্তেজিত ভাবে ভগবানব প্রবেশ।)

ভগবান। মাতৃপূজা জীবনব ব্রত মোব।
মাতৃপূজা সাধনব হেতু,
জীবনব সকলো হেঁপাহ
প্রাণপণে কবিছোঁ অর্পণ।
এই মাতৃপূজা যদি নহয় সাধন,
নিশ্চয় বুজিম—
মাতৃপূজা কবিবব
উপযুক্ত নহয় ধবণী।
পৃথিবীত নাই ঠাই মাতৃ-মন্দিবব।
স্তব্ধ আকাশ!
এই তোক দবিলো মুঠিত—
(ওপবব ফালে চাই থাপ মাবি শূন্যত মুঠি বান্ধি ধবে।)
নোৱাবিলে মাতৃপূজা সমাধা কবিব,
তোব ন'তে একেলগে শূন্য হৈ যাম।
(বহি বান্ধি নিয়া কাপোবব টোপোলাব পবা
মাতৃমূর্ত্তি উলিয়ায়।)
জননী!
কতদিন আৰু তুমি দুর্ব্বলা ৰূপেৰে,
নীবৰে সহিবা এনে
দানৰৰ অকথ্য পীড়ন?
কিমান দিনত আৰু,
তোমাৰ মোহিনী মূৰ্ত্তি,
অলি উঠি দানৰৰ অঙ্কলা চকুত,
মাতৃপূজা কৰিবৰ জন্মাব হেঁপাহ?
জননী!
লোৱা এই সন্তানৰ সাধনা আঁজলি।
বিচিত্ৰ ৰূপেৰে তুমি,
কেতিয়াবা দগ্ধ এই মৰু জগতত,
শান্তিৰ পীযূষ ধাৰা ঢালি,
ওপচোৱা নন্দন সৌৰভ;
কেতিয়াবা ক্ষান্ত,
বুকু পাতি সহি
অশান্তিৰ অশেষ যাতনা,
দানৰৰ মহাতৃষ্ণা আঁতৰাই দিয়া।
লোৱা এই সন্তানৰ প্ৰাণৰ আঁজলি।
মনৰ মাজত মই দেখিছোঁ সদায়
হাঁহিভৰা তোমাৰ বদন।
তেন্তে কিয় বাহিবত দেখিছোঁ তোমাক
যন্ত্ৰণাৰ অশ্রু টুকি
তিলে তিলে দগ্ধ হৈ থকা?
তোমাৰ ই মূর্ত্তি দেখি চকুৰ আগত,
সুখ শান্তি হেকৰাই,
তোমাৰ সন্তানো আই কান্দি আছোঁ মাথোঁ।
যন্ত্ৰণাদায়ক মূর্ত্তি সম্বৰণ কৰি,
বেদনাৰ দাগ মচি বদনৰ পৰা,
বিমোহিনী মধুৰ মূৰতি
কেতিয়া দেখাবা আই?
(মনে মনে চকু মুদি জপ কৰে।)
(ছদ্মবেশী চক্রধ্বজৰ ভগৰানক লক্ষ্য কৰি
লাহে লাহে প্রবেশ।)

চক্রধ্বজ। কোন এওঁ?
আকাৰ প্রকাৰ দেখি
সামান্য এজন বুলি নহয় বিশ্বাস।

মুখমণ্ডলৰ ৰেখা দেখি, ভাব হয়,
যন্ত্ৰণাৰ কিবা মহা দগ্ধ অভিযোগ,
তীব্ৰভাৱে সামৰি বুকত
সাধনাত অচল-অটল।
(ভালকৈ নিৰীক্ষণ কৰি)
মূৰ্ত্তি এটি ৰাখিছে আগত—
(আৰু ভালকৈ চাই)
লিখা আছে 'মাতৃপূজা' তাত।
অৰ্থ কি ইয়াৰ !
ৰহস্য বা কি আছে ইয়াত ?
দেখি দেখোঁ প্ৰাণ মোৰ
পৰিশুদ্ধ ভাবেৰে ভৰিল !.
অৱশ্যে নহয় কোনো বাতুলৰ কথা।
(একেথিৰে চাই থাকি ভগৱানৰ কাৰ্য্য-কলাপ দেখে)
ভগৱান। (চকু মেলি)
আই !
সন্তানক ছলিবা কিমান আৰু !
বাটে ঘাটে, ঘৰে-পৰে
উৎপীড়িত তোমাৰ মূৰতি,
নোৱাৰো—নোৱাৰো চাব —
অসহ্য তেনেই আই !
হায় !
অন্ধ হৈ অবোধ মানৱ !
নামত কলঙ্ক সানি,
এই মাতৃমূৰ্ত্তি তই চিনিব নোৱাৰি,
অত্যাচাৰ কৰিছ কিমান।
ভৰিৰ তলিত থকা ধূলিটিতকৈও
অনাদৰ কৰিছ মাতৃক !
প্ৰাণভৰা চেনেহৰ এটিও কণিকা
সপোনতো দিয়া নাই বিলাই মাতৃক।
ইমানেই নীচ তই !
সুখ শান্তি আশা তই কৰিবি কিদৰে ?
(উত্তেজিত সুৰেৰে)
ধিক ! ধিক ! শতধিক তোক !

চক্ৰধ্বজ। তুমি কোন ?
(একেথিৰে ভগৱানৰ ফালে চাই থাকে।)
ভগৱান। (নিজে নিজে)
ইয়াতকৈ মানৱৰ
কলঙ্কৰ ঘৃণিত প্ৰমাণ,
কোনে পাৰে কল্পনা কৰিব ?
দয়া, মায়া, প্ৰেম, প্ৰীতি পাহৰি সমূলি
দেখিছে মাতৃত মাথো খঁকুৱা মানৱে,
কামনাৰ তাড়নাৰ তীব্ৰ উপভোগ।
ইয়াৰে মানৱে নে কি,
লাভ কৰি লব খোজে
মঙ্গলৰ মহা আশীৰ্ব্বাদ ?
চক্ৰধ্বজ। তুমি কোন ?
ভগৱান। (চক্ৰধ্বজৰ ফালে ফিৰি চাই)
কোনে কব মই কোন ?
অনন্ত আকাশ, ভাহি যোৱা বতাহত,
সোধা মই কোন ?
অণুই অণুই তাৰ,
লিখা আছে সঠিক চিনাকি মোৰ।
দিগন্ত বিস্তৃত সৌৱা
নীল অম্বৰত, সোধা মই কোন ?
ফাঁকে ফাঁকে তাৰ,
আছে মোৰ উজ্জ্বল কাহিনী।
নিতাল নিশাৰ সেই নিস্তব্ধ কাণত,
সোধা মনে মনে মই কোন—
সিও দিব পৰিচয় মোৰ।
বহুদিন—বহুদিন—
বুকভগা প্ৰাণ মেলি মোৰ
কৈ দিছোঁ সিহঁতক প্ৰাণৰ বেদনা।
মানৱ জগত আজি হৃদয়বিহীন ;
কাৰ ওচৰত মই পৰিচয় দিম ?
যাবেই আগত কওঁ,
সেয়ে কৰে উৎপীড়ন মোক।
চক্ৰধ্বজ। বুজা যায় কথাৰ ভাৱত,

তুমি যেন কোনো
নিদাৰুণ যন্ত্ৰণাৰ অনন্ত সোঁতত
ভাহি আছা লক্ষ্য হেৰুৱাই।
ভগৱান। ভাহি আছোঁ লক্ষ্য হেৰুৱাই—
নকব মানৱে কিয় ?
মানৱ হৃদয়হীন—
মানৱ হৃদয়ৱান হলে,
মাতৃমূৰ্ত্তি এনেদৰে,
লক্ষ লক্ষ মানৱৰ
নিষ্ঠুৰতা সামৰি বুকত,
অশ্ৰু টুকি ৰব কিয় ?
চক্ৰধ্বজ। তোমাৰ কথাৰ ভাব
অলপো বুজিব পৰা নাই।
ভগৱান। কিদৰে বুজিবা তুমি ?
অসংখ্য হৃদয়হীন নৰৰ মাজত
তুমিও এজন—
মোৰ কথা কিদৰে বুজিবা ?
চক্ৰধ্বজ। কি আচৰিত !
কথা কয় সাঁথৰৰ দৰে।
মহাশয় ! তোমাৰ কথাত যেন,
আছে মহা ৰহস্য লুকাই।
স্পষ্ট কৰি কোৱা তুমি
কি বেথাত ব্যথিত অন্তৰ !
মোৰ ক্ষুদ্ৰ শকতিৰে প্ৰতিকাৰ কৰি,
পাৰো যদি লাঘবিব বেদনা তোমাৰ,
প্ৰাণপণ কৰিও কৰিম।
ভগৱান। কৰিবা নে প্ৰতিকাৰ ?
তোমাৰ বুকত সাহ আছে নে ইমান ?
কত দিন—কত দিন মই—
মোৰ এই বুকভৰা অভিযোগ লৈ,
ঘৰে ঘৰে গাৱেঁ গাৱেঁ ফুৰিলোঁ কিমান,
নাপালোঁ এজনো এনে,
মোৰ ই বুকৰ পৰা
যন্ত্ৰণাৰ বোকোচা নমাই,
শান্তি দিব ব্যথিত প্ৰাণত।
সিহঁতৰ ওচৰত মোৰ অভিযোগ,
আকাশতকৈও যেন ডাঙৰ দীঘল।
আছে নে তোমাৰ এনে সৰস হৃদয়,
পূৰাবা ই অভিযোগ মোৰ ?
চক্ৰধ্বজ। পাৰোঁ যদি নিশ্চয় কৰিম।
ভগৱান। পাৰা যদি চোৱা তেন্তে,
আৱৰণ গুচাই চকুৰ—
বাটে-ঘাটে ঘৰে-পৰে,
হৃদিহীন মানৱৰ,
মৰ্ম্মভেদী অত্যাচাৰে,
মাতৃমূৰ্ত্তি কলঙ্কিত কৰিছে কিমান !
চক্ৰধ্বজ। বুজিব নোৱাৰো একো,
কথা কোৱা কাক লক্ষ্য কৰি।
ভগৱান। কাক লক্ষ্য কৰি কওঁ
যি মাতৃয়ে দগ্ধ এই মৰু জগতত,
দয়া, প্ৰেম, চেনেহৰ সুধাধাৰা ঢালি,
তুলিছে জীপাল কৰি নৰৰ অন্তৰ,
সেই নাৰীৰূপী মাতৃমূৰ্ত্তি
লক্ষ্য কৰি কওঁ।
যি নাৰীয়ে জগতৰ প্ৰথম পুৱাতে,
প্ৰেম-পৰশেৰে ঢালি উৎসাহ প্ৰাণত,
অৰ্দ্ধ কৰ্ম্মশক্তি পূৰ্ণ কৰিলে নৰৰ,
চোৱা আজি সেই নাৰী,
হৃদয়বিহীন এই নৰৰে হাতত,
উৎপীড়ন অনাদৰ লভিছে কিমান !
এনুৱা নাৰীতকৈ নৰৰ কাষত
শিয়াল কুকুৰো বেছি লভিছে আদৰ।
তাতকৈ আছে নে কিবা কলঙ্ক নৰৰ ?
বাঢ়ে নে ইয়াত কিবা সৌন্দৰ্য্য দেশৰ ?
চক্ৰধ্বজ। (আনফালে চাই নিজে নিজে)
উপযুক্ত অভিযোগ।
(ভগৱানৰ ফাল চাই)

বাৰু কি কৰিব পাৰোঁ মই,
কিদৰে কৰিম মই সহায় তোমাক ?

ভগৱান। ঐশ্বৰ্য্য সম্পদ একো খোজা নাই মই !
নৰৰ ঘৃণিত এই
দাসত্বৰ পীড়নৰ পৰা,
নাৰীমূৰ্ত্তি মুক্ত কৰি,
পূৰ্ণতাৰে আলোকিত
পাৰা যদি কৰিব দেশক,
ব্যয় কৰা সকলো শকতি।
দেখিবা তেতিয়া তুমি—
শৌৰ্য্য-বীৰ্য্য ঐশ্বৰ্য্য-সম্পদ
ভৰি পৰি ভৰপূৰ কৰিব দেশক,
উঠিব অপূৰ্ণ নৰ পূৰ্ণতাত ভৰি।
দেশভৰা দৈন্যতা গুচাই,
সৌন্দৰ্য্য বঢ়াবলৈ শান্তি আনন্দৰ
কৰ্ম্মশক্তি বাঢ়িব নৰৰ।
এয়ে মোৰ মহা অভিযোগ।

চক্ৰধ্বজ। বাৰু মহাশয় !
অনুৰোধ পাৰো নে কৰিব এটি ?
প্ৰেমৱান পুণ্যৱান আমাৰ নৃপতি ;
তোমাৰ ই অভিযোগ শুনি যদি পায়,
নিশ্চয় কৰিব পাৰে সহায় তোমাক।

ভগৱান। মোৰ এই অভিযোগ শুনিবৰ বাবে,
আছে নে ৰজাৰ এনে উদাৰ অন্তৰ ?
যাম—যাম—
নৃপতিৰ ওচৰতো
দিবেদিম অভিযোগ মোৰ।

[বেগেৰে প্ৰস্থান

চক্ৰধ্বজ। (নিজে নিজে)
উৎপীড়িত দুৰ্ব্বলৰ হকে
যাৰ প্ৰাণ কান্দি উঠে ;
অৱলা নাৰীৰ বেদনাই,
সৰ্ব্বত্যাগী কৰি যাক,
চিন্তাইছে মুক্তিৰ উপায়,
ধন্য তেওঁ মানৱ কুলত।
হায় !
কিমান দিনত আৰু
দেশময় দুৰ্ব্বলতা গুচাবৰ হকে,
লক্ষ লক্ষ মানৱৰ আকুল অন্তৰে,
আনন্দেৰে দিব আত্মদান ?

[লাহে লাহে গম্ভীৰ খোজেৰে প্ৰস্থান।

—ক্ৰমশঃ



লণ্ডনত মহাত্মাজী—



মহাত্মা গান্ধী জন্মদিনৰ উৎসৱ উপলক্ষে বিলাতৰ ভোজত



মহাত্মা গান্ধীৰ লগত কেনটাৰ বাড়ীৰ ডিন
ডাঃ হিউলেট জনচন



মহাত্মাজী বিলাত পোৱাৰ পিছত



সম্পাদকীয়

নিবেদন

আৱাহনৰ ২য় বছৰ শেষ হৈ ৩য় বছৰত খোজ পৰিছে। এই নতুন বছৰৰ আৰম্ভণিতে ইয়াৰ পাঠকপাঠিকা, লিখক-লিখিকা আৰু অনুগ্ৰাহক-অনুগ্ৰাহিকাসকললৈ আমাৰ সাদৰ সম্ভাষণ জনাইছোঁ। তেখেতসকলৰ নৰম চেনেহ, সহায়-সহানুভূতিৰ ওপৰতে আৱাহনৰ শ্ৰীবৃদ্ধি। লিখক-লিখিকা সকলে নিঃস্বাৰ্থভাৱে যোৱা দুবছৰ যেনেকৈ কাকতখনৰ নিমিত্তে লাগি আছে, তাৰ উপযুক্ত বা অন্ততঃ ওচৰা-উচৰিৰ তুল্য শলাগনিও প্ৰকাশ কৰিবলৈ কোনো ভাষাই যথেষ্ট নহয়। হিতাকাঙ্ক্ষীসকলৰো কাকতখনৰ প্ৰতি যি শুভ ইচ্ছা, যি আশিষবাণী তাক আমি ভালেকৈ উপলব্ধি কৰিব পাৰিছোঁ।

কিন্তু এইসকল সত্ত্বেও আৰু আমাৰ তেনে বৰ ইচ্ছা নাথাকিলেও, এটা কথা উল্লেখ কৰিবৰ বিশেষ দৰকাৰ হৈছে। যি কি নহক সি বোধহয় প্ৰসঙ্গৰ বাহিৰা নহব। বৰ্ত্তমান অসমৰ আটাইকেথন প্ৰধান কাকতৰে কিছু গুণগান শুনিবলৈ পোৱা যায়। ই বৰ সুখৰ কথা। কিন্তু আনফালে আকৌ এতিয়া নকি অসমীয়া কাকততকৈ বহুত ভাগ সৰহ বিদেশী আৰু প্ৰাদেশতঃ বঙ্গালী কাকত হে চলে। আৰু তাৰো নকি নিজ দেশত আদৰ নোপোৱা বিধৰে বেছি। অৱশ্যে জ্ঞান আহৰণৰ নিমিত্তে নিজ দেশৰ, নিজ ভাষাৰ কিতাপ, কাকত যথেষ্ট নহলে বিদেশী ভাষাৰ কাকত, কিতাপবপৰা জ্ঞান অৰ্জ্জন একো দোষৰ কথা নহয়। কিন্তু সেই বুলি পাহৰিলে নচলিব—জাতীয় শিল্প (National industry) বিদেশী উন্নত অথাৱ বাণিজ্যৰ আগত তিষ্ঠি গা কৰি উঠিবলৈ প্ৰটেকশ্যন বিণৰ আৱশ্যক। সেয়া আৰু আত্মপ্ৰতিষ্ঠ দেশ আৰু জাতিয়ে তাৰ উদাহৰণ ৰূপে দেখা নাযায়। বৰং তাকেই প্ৰধান সমস্তাকণে গ্ৰহণ কৰে। আজি গোটেই ভাৰতৰ যি সমস্যা অসমীয়া জাতি তাৰ বাহিৰে আৰু বহু জীৱন-মৰণৰ সমস্যা আদি দেখা দিছে। অসমীয়াৰ গাত আছি নানা বিধৰ হেচা পৰিছে, ওকতৰ স্বাৰ্থত আঘাত পৰিবলৈ ওলাইছে। এতিয়া আমাৰ জাতিয়ে ইয়াৰ সমুচিত সমিধান বিচাৰি উলিয়াব পাৰিব লাগিব। তাকে কৰিবলৈ আমি অদ্ভুত কিবা নাইবা নতুন একো কৰিবলৈ ওলাব নালাগিব যেন বোধহয়। আত্মৰক্ষাৰ নিমিত্তে আৰু স্বপ্ৰতিষ্ঠাৰ হকে জগতত যি চিৰচলিত 'প্ৰটেক্শ্যন'ৰ ব্যৱস্থা আছে তাকে অৱলম্বন কৰিলেই যথেষ্ট হব বুলি মনে ধৰে। এই প্ৰটেকশন বা আত্মৰক্ষা সংকীৰ্ণতা নহয় বৰং বিশ্বজনীন উদাৰতাৰে আদি কেন্দ্ৰ। কাজেই যিসকল উদাৰপন্থীয়ে ইয়াক সঙ্কীৰ্ণতা বুলি ভাবে তেওঁলোকে নিজ দেশ আৰু জাতিৰ স্বাৰ্থৰক্ষাৰ নিমিত্তে এই তথাকথিত বা আৰোপিত

সংকীৰ্ণতাৰ কল্পনা এবি জাতীয় প্ৰতিষ্ঠা সাধনত নিঃসন্দেহে কাৰ্য্যকৰী পন্থা অবলম্বন কৰি এই দেশ ধন্য, এই জাতি বৰণ্যে কৰি তুলিব পাৰে। লাগে কেৱল গভীৰ স্বদেশ স্বজাতি প্ৰীতি। এই নীতি বা অনুৰাগৰ নিমিত্তেই আৰু প্ৰধানতঃ ইয়াৰে প্ৰসাদতে, বেছি দূৰলৈ যাবই নালাগে আমাৰ ওচৰ-চুবুৰীয়া প্ৰদেশ বিলাকতে ভাষা শিল্প আদি নদম-বদম হৈ উঠিল; আমাৰ নহবৰ নো কি এনে অনিবাৰ্য্য কাৰণ আছে? বৰং আমাৰ দেশৰ উজ্জ্বল অতীত, আমাৰ জাতিৰ বীৰত্ব-গৌৰৱ, আমাৰ ভাষাৰ অতুল প্ৰাচীন সম্পদ আদিয়ে আমাক সুখ্যাতিপূৰ্ণ ভবিষ্যতৰ বাটৰ সমল আগবঢ়াই দিয়া নাই নে? ই মহা সৌভাগ্য। এই সৌভাগ্যৰ ফল ফলিবই। অসমীয়া জাতি উঠিবই। অসমীয়া ভাষাই তাৰ উজ্জ্বল অমিয়া ছেউতি চৰাই দশোদিশ পোহৰাবই। আহক, আজি জন্মভূমি আৰু মাতৃভাষাৰ মহান যজ্ঞত আপোনাবো আহুতি আগবঢ়াই দিয়কহি।

গৰীয়ান ভাৰততে তাতে আৰু অসমৰ দৰে কম লোকসংখ্যাৰ, বিশেষতঃ আৰু কম শিক্ষিতৰ সংখ্যাৰ মাজত কাকত চলাবলৈ আগবঢ়া মানেই যে কি ডাঙৰ দায়িত্ব এটা মুবত লোৱা, তাক বোধহয় নকলেও হয়। এনেমে দায়িত্বৰ এনে গধুৰ চেপা আনফালে গ্ৰেচ আৰু ধৈৰ্য্য কাকতৰ ওপৰত অৰ্ডিনান্সৰ অনুশাসন আদিবে মুখ হাত বন্ধ কৰিবলৈ চেষ্টা আদিত কাকতৰ পক্ষে আত্মপ্ৰতিষ্ঠা আৰু এনেকি আত্মৰক্ষা কৰি জাতীয় আদৰ্শ আৰু কৰ্ত্তব্য প্ৰচাৰ আৰু পালন কৰা যে কিমান টান, কিমান বিঘিনি-বিপদপূৰ্ণ তাক আমাৰ বাইজৰ বুজিবলৈ বাকী নাই। তেনে অৱস্থাতো 'আৱাহনে' দেশৰ বিশাল কৰ্ম্মক্ষেত্ৰত শক্তি আৰু অধিকাৰ অনুসাৰে দেশৰ বৈশিষ্টপূৰ্ণ সেৱাত ত্ৰুটী দেখুৱা নাই। অৱশ্যে এই পৰাধীন, দুখীয়া দেশত কোনো কাকতৰে পক্ষে আত্মনাথা কৰিবলৈ একো নাই। তাৰ পৰিবৰ্ত্তে দেশৰ অশেষ, অশেষ কৰ্ত্তব্যৰ গিমানখিনি সম্ভৱ পালন কৰি তোৱাতে সাৰ্থকতা নিৰ্ভৰ কৰিছে। অৱশ্যে এই কৰ্ত্তব্য পালন আৰু তাৰ সাৰ্থকতা আদিলৈ ইয়াত এযাৰ কৰব ধাৰণ্ড হৈছে।

শাসকসকলৰ বহু বছৰৰ অবিচাৰৰ ফলত আজি ভাৰতত ৰাজনৈতিক দাবী সাব্যস্ত কৰিবলৈ এটা প্ৰবল ধুমুহা বৈছে। তাক শিক্ষিত এমুঠৰ আন্দোলন বুলি ইমান দিন আওহেলা, অবজ্ঞা কৰিলেও এতিয়া এয়েই যে ভাৰতৰ প্ৰধান আৰু প্ৰবল জনমত তাক কোনেও অস্বীকাৰ কৰিব পৰা নাই। সেই জনমত দলনৰ চেষ্টা কৰিও অৱশেষত শাসক জাতিয়ে এটা চুকিৰ ভিতৰেদি কিবা এটা মীমাংসালৈ আহিবলৈ বাউণ্ড টেবল কনফাৰেন্স বহাৰ লগীয়া হৈছিল। অৱশ্যে তাতো ভাৰতক গুদা হাতে খেদিবলৈ ষড়যন্ত্ৰ চলিলেও ভাৰতৰ গৰিষ্ঠ জনসাধাৰণৰ প্ৰবল মত কি তাক আজি পৃথিবীৰ কোনো জাতিৰ বুজিবলৈ বাকী নাই। আৰু ভাৰতৰ সংখ্যাধিক্য জন-সাধাৰণেই যে জাতীয় কংগ্ৰেচ আৰু কংগ্ৰেচৰ মতেই সেই জনসাধাৰণৰ মনৰ ভাব, তাকো জগতবাসীয়ে হুবুজাকৈ থকা নাই।

'আৱাহন' কোনো দলবিশেষৰ বস্তু নহয়। আৱাহনৰ কোনো অন্তর্নিহিত উদ্দেশ্য বা স্বার্থ নাই। দেশৰ আৰু জনসাধাৰণৰ স্বার্থ যি সেয়েহে মাথোন ইয়াৰ আলোচনাৰ বস্তু। দেশৰ আৰু দহৰ স্বার্থ যি সেইেই আনফালে কংগ্ৰেচৰ লক্ষ্য হোৱা গতিকে জাতিৰ সেৱাত পক্ষান্তৰে কংগ্ৰেচকে মানি চলা, বা কংগ্ৰেচৰ লগত সম্বন্ধ ৰখা দেখা গলেও আমি আশাকৰোঁ আমাৰ বাইজে আমাৰ পৰিত্ৰ উদ্দেশ্য বুজাত ভুল নকৰিব। আমি তেওঁলোকক ডাঠি কৰিলে সাহ কৰোঁ যে আমি কোনো দলবিশেষৰ পোষকতা কৰা নাই, বা তেনে উদ্দেশ্য কাকতন নাই। যি কৰা হৈছে তাক কেৱল দেশ আৰু দহৰ সেৱা ভাবিয়ে।

আমি এই সৰল বিশ্বাসেৰে আৰু শুদ্ধ চিতেৰে আগ বাঢ়িলোঁ। আশাকৰোঁ গুণগ্ৰাহী বাইজৰ সম্পূৰ্ণ সহানুভূতিৰ পৰা বঞ্চিত নাথাকিম। আমি আমাৰ অনিচ্ছাকৃত ত্ৰুটীবৰে সদায় ক্ষমাপ্ৰাৰ্থী।

ভাবপ্ৰৱণতা আৰু কোচবিহাৰ, ৰংপুৰ, জলপাইগুৰি আদি জিলা

ডিব্ৰুগড়ৰপৰা মাংদৈ আদি জিলালৈকে ৰাজবংশী, কোঁচ, কলিতা, কচাৰী, খেন ইত্যাদি জাতিৰ প্ৰাধান্য

দেখিবলৈ পোৱা যায়। কোচবিহাৰ, ৰংপুৰ আদিৰ কথা ভাষা ৰাজবংশী ভাষা বুলি জনাজাত ; অৱশ্যে সেইবিলাক ঠাইৰ অকল ৰাজবংশীবিলাকে যে এই কথা কয় তেনে নহয় ; ব্ৰাহ্মণ, কলিতা, কায়স্থ, খেন, মুছলমান আদি সকলোৱে এই একে ভাষাতে কয়, ই কোনো সম্প্ৰদায় বিশেষৰ ভাষা নহয়---ইণ্ডো-জাৰমেনিক ভাষাৰ ভিতৰুৱা আৰু Linguistic Survey of Indiaৰ মতে কোচবিহাৰৰ ভাষা অসমীয়া ভাষাৰ জন্মপীঠ ; কেৱল পৰিবৰ্ত্তন আৰু ক্ৰমবিকাশৰ বাটত পৰি আৰু জিলাবিলাকৰ কথ্য ভাষাক অনুকৰণ কৰি দুয়ো ভাষাই (অসমীয়া আৰু সেইবিলাক ঠাইৰ বৰ্ত্তমান কথ্য ভাষা) মূল ভাষাৰপৰা আঁতৰি পৰিছে। কিন্তু সেই ব্যৱধানৰ ভিতৰতো কোচবিহাৰৰ ভাষাৰ পৰা বৰ্ত্তমান অসমীয়া ভাষা কিছু বেলেগ যেন লাগিলেও, বিহাৰ প্ৰদেশৰপৰা অসমলৈকে ভাষাৰ যিখিনি মিল দেখিলৈ পোৱা যায় আজি ২'৩ শ বছৰ বঙ্গদেশৰ লগত থকাতো বঙলা ভাষাৰ লগত ৰাজবংশী বা কোচবিহাৰী ভাষাৰ সিখিনি মিলো দেখিবলৈ পোৱা নাযায়—যদিও মিলামিছা আৰু আচাৰ, ব্যৱহাৰ, ভাষা আদিৰ প্ৰভাৱ বিস্তাৰ হোৱা স্বাভাৱিক আছিল। (অৱশ্যে সৰুৰে পৰা বঙলা শিকা আৰু তাৰ দ্বাৰা প্ৰভাবান্বিত এমুঠি শিক্ষিতক আমি ধৰা নাই।) মুছলমান বাদছাহেও বোধ কৰোঁ কমৰূপ জয় কৰি তাৰ লগত বঙ্গদেশৰ কোনো সাদৃশ্য নেদেখিহে কোচ-বঙ্গ বা কোচ-বঙলা আদি কোনো নাম ৰখা নাই। কোচবিহাৰ হে ৰাখিছিল।

যি কি নহক আজি দুই শতাব্দীৰপৰা দস্তুৰমতে বঙালী সজাতো এইবিলাক ঠাইৰ কোনোৰকম উন্নতিয়ে চকুত পৰা হোৱা নাই, কোনো বিশেষ লাভ হোৱা দেখা পোৱা নাই। লাভৰ ভিতৰ বৰং এইবিলাক ঠাইৰ ৰাজবংশী, কলিতা, আদি শ্ৰেষ্ঠ জাতিবিলাক হীন প্ৰতিপন্ন হৈ পৰিছে। জাতি হীন বিবেচিত হোৱা দুখৰ আৰু দুৰ্ভাগ্যৰ সীমা নোহোৱা কথা। আনফালে আচৰিত আৰু অদ্ভুত লাগে যে ৰজাৰ জাতিয়ে জাতি দি ক'ত আনক উদ্ধাৰ কৰিব, নিজে পতিত হয়। এই বিপৰ্য্যয়ত পৰি সেই বিলাক ঠাইৰ কিমানে যে নিজ জাতি বংশ পৰিচয় আদি সলাই মিছাৰ আশ্ৰয় লৈ জাতি পাবলৈ যত্ন কৰিছে তাৰ খবৰ কেইজনে ৰাখিছে ? মানুহৰ ই কি আচৰিত ভাবপ্ৰৱণতা—আমি বুজি নাপাওঁ। আৰু আমি নুবুজোঁ যি ভাষাৰ লগত মাতৃভাষাৰ মিল নাই, যি জাতিৰ লগত আচাৰ-ব্যৱহাৰ, ৰীতিনীতি একো নিমিলে তাক অকল ভাবৰ আবেশত আপোন বুলিবলৈ যোৱা আৰু অনুকৰণ কৰিবলৈ ওলোৱা কিমানদূৰ যুক্তিসঙ্গত।

অনুকৰণ কৰিবলৈ যোৱাত অনুকৰণীয়তকৈ অলপ নহয় অলপ সৰু বুলি স্বীকাৰ কৰিব লাগে। এনেদৰে সৰু সাজ প্ৰতিযোগিতাত আগ বঢ়া টান হৈ পৰে। অৱশেষত প্ৰতিযোগিতাত বলে নোৱাৰি মনত দুখ আৰু হিংসা আহি ওচৰ চাপে। এই ভাবৰপৰা শত্ৰুতা আহি দেখা দিয়ে, আৰু এনে কাৰণৰ পৰাই এইবিলাক ঠাইত "ভাটীয়া তাড়িনী" সভাৰ উৎপত্তি হবলৈ বাধ্য হয়। কিন্তু এই "ভাটীয়া" অৰ্থাৎ বঙালীক "তাড়ন" অৰ্থাৎ খেদিব খুজিলেইবা তেওঁলোকে খেদা খাব কি দুখত ? এনেকৈ ৰোগৰ মূল কাৰণ উলিয়াই চিকিৎসা কৰিব নোৱাৰি এইবিলাক ঠাইৰ জাতীয় দেহ দিন দিন জীৰ্ণ হৈ যাব লগীয়া হোৱাৰ বাহিৰে আন একো হোৱা নাই যেন লাগে। জাতিৰ ক্ষোভৰ মাত্ৰা বাজত প্ৰকাশ নাপালেও তলে তলে তুহৰ জুইৰ দৰে জলাৰ বাহিৰে আন কি গতি আছে। এইসকল আমাৰ জ্ঞাতি-বঙহৰ যে কি অৱস্থাৰ এতিয়াও হৈ ৰৈছে তাক যদি আমাৰ অসমীয়া জনসাধাৰণে যথাযথ উপলব্ধি কৰিব পাৰিলে হেতেন, তেনেহলে বোধহয় ইমানদিনে তেওঁলোকেও ৰোগ চিকিৎসাৰ সঞ্জীৱনী সুধাৰ সন্ধান পালে হেতেন আৰু আমাৰো কেৱল আক্ষেপ আৰু হুমুনিয়াহে সাৰ নহল হেতেন ' তাৰ পৰিবৰ্ত্তে দেখা গল হেতেন এটা বিৰাট জাতি, তাৰ অতীতৰ শৌৰ্য্যবীৰ্য্য কীৰ্ত্তি কাহিনীৰ সম্পূৰ্ণ সম্ভাৰ লৈ ইপ্সিত জাতিগঠনৰ বাটত আগ বাঢ়িছে। কিন্তু দুখৰ বিষয় আজিও অসমৰ দুই এঠাইৰ বাহিৰে বেছি সভাসমিতিত এইবিলাক ঠাই লৈ দাবী জনাই প্ৰস্তাৱ আদি পাছ হোৱা নাই। ই এতিয়াও আমাৰ সৰ্ব্বসাধাৰণৰ আলোচনাৰ বস্তুৱে হোৱা নাই যেন লাগিছে। শ-শ বছৰৰ দাৰুণ বিচ্ছেদজ্বালা আমাৰ সমবেদনাৰ ঠাইত

সৈ গৈছে। সেই নিমিত্তেই বোধহয় আমাৰ দেশৰ সেই বিলাক ঠাইৰ প্ৰতি আমি এনে উদাসভাৱে, এনে নিশ্চেষ্টৰ দৰে চাই থাকিব পাৰিছোঁ ; নহলে কোনো জাতিয়ে দেখোঁ নিজ স্বাতন্ত্ৰ্য, নিজ গৌৰৱ হেৰাই এনেকৈ হাত সাবটি থাকিব পৰা নাই। ই বোধহয় কিবা অভিশাপ। এফালে আমি নিৰালম্ব। আনফালে তেওঁলোক অলীক আৱেশত আতুৰ। তেওঁলোকৰ কিছুমানৰ বোধহয় প্ৰধান আকৰ্ষণৰ বস্তু বঙ্গসাহিত্য ভৰাল, পাছে তাৰপৰা বঞ্চিত হব লাগে। অৱশ্যে বঙলা সাহিত্যৰ বৰ্ত্তমান অৱস্থা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। পিছে সি কেৱল তুলনাত হে যেন লাগে আৰু প্ৰকৃত প্ৰস্তাৱত সেই সাহিত্যও জ্ঞান অৰ্জ্জনৰ পক্ষে তেনেই যথেষ্ট বুলি কোনেও কব নোৱাৰে। সেই সাহিত্যতো এতিয়াও নানা জ্ঞান-বিজ্ঞানৰ কিতাপৰ অভাৱ জ্ঞানপিপাসুজনৰ চকুত নপৰাকৈ নাথাকে আৰু নহয় ধৰি লোৱা যক সেই অভাৱো নায়েই, কিন্তু সেই অভাৱ থকা নথকাৰ লগত সৰ্ব্বসাধাৰণৰ সম্বন্ধ কি ? যিবিলাক সাহিত্যসেৱী, যিবিলাক জ্ঞানপিপাসু তেওঁলোক অসমীয়া হলেও বঙালী কিতাপ নাইবা বঙালী হলেও অসমীয়া সাহিত্য পঢ়িব, তাত কোনো হাক-বাধা নাই। কবি ৰবীন্দ্ৰ নাথ প্ৰভৃতি যিসকল গোটেই ভাৰতৰে গৌৰৱস্থল, তেওঁলোকৰ সাহিত্য বা ভাব কোনো সমাজ বিশেষত আবদ্ধ থাকিব নোৱাৰে। অৱশ্যে তেওঁলোকৰ নিমিত্তে সেই সেই সমাজ অলপ বেছি গৌৰৱান্বিত হব পাৰে সঁচা ; কিন্তু সেইবাবে কবি কালিদাসৰ কাৰ লগত সম্বন্ধ আছিল নাইবা ছেক্সপিয়ৰ বা ৰবীন্দ্ৰ নাথ ঠাকুৰৰে সম্বন্ধৰ এজনক কোনোবাই বিশেষ কিবা খাতিৰ কৰিব বুলি মনে নহয়। তেওঁলোক গোটেই জগতৰ। গতিকে তেওঁলোকৰ দেশ বা ভাষাকে খামোচ মাৰি ধৰি থাকিবৰ একো কাৰণ দেখা নাযায়। তেওঁলোকৰ ভাষা প্ৰায় সকলো ভাষাতে অনূদিত হৈছে। অসমীয়াতো যে নহব তাৰ কি কথা আছে। গতিকে সি তেনে ধৰণৰ আকৰ্ষণৰ বস্তু হব লগীয়া একো নহয়। অৱশ্যে এইবিলাক কথা হয় তো কিছুমানে বিশেষকৈ যিসকল একেবাৰে তন্ময় তেওঁলোকে প্ৰথমে ভাল নাপাব। কিন্তু এই ভাব-প্ৰৱণতা এৰিবৰ সময় এতিয়াও অহা নাই নে ? আমাৰ ফালৰ পৰাও নিজৰ ভিতৰত তৎপৰতা দেখুৱাবৰ আৰু আৱশ্যক হলে এইবিলাক ঠাইৰ অধিবাসী আমাৰ ভাইভনীসকলক বুজাবলৈ সময় আহিছে যেন লাগে।

মহাত্মাজী আৰু ৰাউণ্ড টেবলৰ ফলাফল

ৰাউণ্ড টেবলৰ অৱস্থা যেনে দেখা যাব লাগিছে তাতে সকলোৰে মনত সময় যোৱাৰ লগে লগে আশঙ্কা হে বেছি হৈ আহিছে। মহাত্মা গান্ধীয়ে কনফাৰেন্সৰ সংখ্যালঘিষ্ঠ চব-কমিটিত সিদিনা যি বক্তৃতা দিছিল তাৰ দ্বাৰা স্বাৰ্থান্বেষী ষড়যন্ত্ৰকাৰী সকলৰ গোটেইখিনি ৰহস্য বাহিৰ ওলাই পৰিছে। তাত এফালে যেনেকৈ বৃটিছৰ কুটনীতি আনফালে তেনেকৈ সংখ্যালঘিষ্ঠ সম্প্ৰদায়ৰ তথাকথিত প্ৰতিনিধি সকলৰ দেশদ্ৰোহিতাৰ নমুনা স্বাৰ্থপৰতা আদি গোটেই জগতৰ আগত প্ৰকাশ পাইছে। ইয়াৰ পৰাই বৃটীছ সাম্ৰাজ্যবাদী সকলৰ আৰু লগে লগে প্ৰধান মন্ত্ৰী ৰামজে মেকডোনাল্ডৰ উদ্দেশ্যও অনুমানেৰে বুজিবলৈ বাকী নাথাকে।

মহাত্মা গান্ধীয়ে মিঃ ৰামজে মেক্‌ডোনাল্ডৰ ওপৰত স্পষ্ট ভাষাত অভিযোগ আনিছে—যদি সাম্প্ৰদায়িক সমস্যা মীমাংসা নহলে শাসনতন্ত্ৰ গঠন কৰা সম্ভৱ নহয়েই তেনেহলে ইমান টকা খৰচ, ইমানখিনি সময় নষ্ট আৰু শান্তিৰ অপব্যৱহাৰ কৰিবৰ কি আৱশ্যক আছিল ? ইফালে এই সমস্যা মীমাংসাৰ উদ্দেশ্য যদি বৃটিছৰ থাকিল হেঁতেন তেনেহলে কেতিয়াও এনে শ্ৰেণীৰ মানুহসকলক বেলেগ বেলেগ সম্প্ৰদায়ৰ প্ৰতিনিধি সজাই কনফাৰেন্সলৈ পঠোৱা নহল হেঁতেন। মুছলমান, অবনত সম্প্ৰদায় আৰু দেশীয় খৃষ্টান সকলৰ প্ৰতিনিধি কৰি যিসকলক ভাৱনা দেখুৱাবলৈ নিয়া হৈছে সেইসকলক কেতিয়াও সেই সেই সম্প্ৰদায়ৰ প্ৰতিনিধি বুলিব নোৱাৰি। সেইসকল যে সেই সেই সম্প্ৰদায়ৰ প্ৰতিনিধি নহয়, সেই কথা গোটেই ভাৰততে জনাজাত। যি মুছলমান সকলৰ হাজাৰে হাজাৰে দেশৰ নিমিত্তে সমাজৰ নিমিত্তে স্বাৰ্থত্যাগ কৰিছে, যি মুছলমান সকলৰ হাজাৰে হাজাৰে দেশৰ মঙ্গলৰ নিমিত্তে দেশৰ স্বাধীনতা লাগে বুলি আন্দোলন কৰি দুখ-লাঞ্ছনা, জেল-

জৰিমনা আদিলৈ পিছ পৰা নাই, সেইসকলৰ মাজৰ পৰা কোনো প্ৰতিনিধি নজৰত নপৰিল। এনেকি কেৱল ডাঃ আন্সাৰীক তালৈ নিমন্ত্ৰণ দিবলৈ কন্‌ফাৰেন্সৰ হিন্দু-মুছলমান উভয় দলৰ প্ৰতিনিধি সকলৰ অনুৰোধ পৰ্য্যন্ত ৰক্ষা নপৰিল। আনফালে বাছি বাছি সেই সম্প্ৰদায়ৰ প্ৰতিনিধি উলিয়ালে সৰহ ভাগেই সাম্প্ৰদায়িক ব্যাধিৰ জীৰ্ণ ৰোগীসকলক। মেলেৰীয়াৰ ৰোগীৰ যেনেকৈ পীলাই মাত্ৰ সাৰ, এইসকল তথাকথিত প্ৰতিনিধিৰো সাম্প্ৰদায়িক স্বাৰ্থৰ বাহিৰে দেশৰ উমৈহতীয়া মঙ্গলৰ হকে কিবা কাম্য আছে বুলি বুজা নাযায়। ভাৰতীয় খৃষ্টান সম্প্ৰদায়ৰ মাজতো বহুত দেশপ্ৰেমিক থাকিলেও দক্ষিণভাৰতৰ কোনো এজন কোনেও নজনা নুশুনা মানুহক প্ৰতিনিধি বুলি মাতি নিয়া হৈছে। অৱশ্যে সেই সম্প্ৰদায়ৰে আন এগৰাকী প্ৰতিনিধিয়ে সংখ্যালঘিষ্ঠ চব কমিটিৰ মেলত তেওঁক দেশদ্ৰোহী, ষড়যন্ত্ৰকাৰী আখ্যা দিছে আৰু তেওঁৰ উদ্দেশ্য পণ্ড কৰিবলৈ সমৰ্থ হৈছে। তথাকথিত অস্পৃশ্য অৱনত সম্প্ৰদায়ৰ প্ৰতিনিধি মনোনীত হৈছিল স্বদেশ আৰু স্বজাতিদ্ৰোহী ডাঃ আম্বেদকাৰ। মহাত্মাজী নিজে এই দাম্ভিক নিলাজ প্ৰতিনিধিজনৰ গুণ ব্যাখ্যা কৰি দেখুৱাইছে। এই অস্পৃশ্য সকলৰ নিমিত্তে সুকীয়া নিৰ্ব্বাচনৰ অৰ্থ এফালে যেনেকৈ এই সকলক আইনৰ দ্বাৰাই এটা অভিশপ্ত জাতি কৰি ৰখা আনফালে তেনেকৈ ইয়াৰ আন উদ্দেশ্য হিন্দু সমাজৰ সংহতি শক্তি লোপ কৰা। এনেই হিন্দু-মুছলমানৰ ভিতৰৰ ভেদনীতিৰ পৰাই ভাৰতৰ দুৰৱস্থাৰ সীমা নাই; তাতে আকৌ হিন্দুৰ ভিতৰতে এনেবিলাক স্বতন্ত্ৰীয়া ব্যৱস্থা হলে হিন্দুসমাজ ৰসাতললৈ যোৱাৰ লগে লগে গোটেই ভাৰতৰ পৰাধীনতা কোনো দিনে আতৰিবৰ আশা নাথাকিব। সেই নিমিত্তেই মহাত্মাজীয়ে কৈছে—"গোটেই ভাৰতৰ স্বাধীনতা লাভৰ নিমিত্তে হলেও মই অস্পৃশ্য সকলৰ স্বাৰ্থ হানি নকৰোঁ। আৰু এনেকি গোটেই জগতৰ ওপৰত আধিপত্যৰ নিমিত্তেও মই তেওঁলোকৰ অধিকাৰ ক্ষুণ্ণ নকৰোঁ"। কিন্তু এংলো-ইণ্ডিয়ান প্ৰতিনিধি সকলৰ স্বাৰ্থসিদ্ধিৰ নিমিত্তে অদূৰদৰ্শী সংখ্যালঘিষ্ঠ সম্প্ৰদায়ৰ প্ৰতিনিধি সকলৰ যি চুক্তি নিৰ্দ্দিষ্ট হৈছে সি মহাত্মাজীৰ ভাষাত—"ভাৰতৰ স্বায়ত্ত শাসনৰ উদ্দেশ্য লৈ নহয়, আমোলাতন্ত্ৰৰ লগত লগ লাগি ক্ষমতা আৰু সুবিধা ভোগ কৰিবৰ নিমিত্তেহে।" চাৰ হিউবাৰ্ট কাৰে য়ুৰোপীয় সকলৰ প্ৰতিনিধিৰূপে এই চুক্তিনামা ৰচনা কৰিবলৈ সমৰ্থ হোৱা বাবে আনন্দ প্ৰকাশ কৰিছে। কৰিবৰ কথাই। কাৰণ ইয়াৰ দ্বাৰাই ভাৰতক স্বাধীনতাৰ পৰা চিৰকাললৈ বঞ্চিত ৰাখিবলৈ আশা কৰিছে হবলা। কিন্তু সেই সকলে জনা উচিত ভাৰতৰ জাগ্ৰত জনসাধাৰণৰ জন্মগত অধিকাৰ স্বাধীনতাৰ দাবী কোনোবাই উপেক্ষা কৰিবলৈ বিচাৰিলেও তাৰ বাটত ভেটা দিবলৈ জগতত কোনোবা শক্তি আছে বুলি মনে নধৰে। মহাত্মাজীয়ে স্পষ্টকৈ জনাইছে ৰাউণ্ড টেবলত সুফল নফলিলে আকৌ আইন অমান্য আন্দোলন আৰম্ভ হব, ভাৰতবাসীয়ে আত্মশক্তিৰ ওপৰত নিৰ্ভৰ কৰি এই বাটেদি আগবাঢ়িব। ইয়াৰ বাহিৰে আন প্ৰতিকাৰ কি আছে?

প্ৰাদেশিক কৰ্ত্তৃত্ব

বৃটিছ গভৰ্ণমেণ্টে ভাৰতক এই যাত্ৰাৰ নিমিত্তে কেৱল প্ৰাদেশিক আত্মকৰ্ত্তৃত্ব দিবলৈহে নেকি পাঙিছে। যুক্ত ৰাষ্ট্ৰ এতিয়াই গঠন কৰি কেন্দ্ৰীয় গভৰ্ণমেণ্টক ব্যৱস্থাপক সভাৰ জৰিয়তে জনমতৰ ওচৰত দায়ী কৰিবলৈ নোখোজে।

অৱশ্যে মহাত্মাজীকে আদি কৰি কনফাৰেন্সৰ ২৭ জন প্ৰতিনিধিয়ে প্ৰধান মন্ত্ৰী মিঃ মেকডোনাল্ডক এই বিষয়ে লিখি জনাইছে যে নিৰ্ব্বাচিত ব্যৱস্থাপক সভাৰ ভিতৰেদি ভাৰত গভৰ্ণমেণ্টক ভাৰতীয় জনমতৰ ওচৰত দায়ী কৰিব লাগিব আৰু যুক্তৰাষ্ট্ৰও গঠন কৰিব লাগিব। কেৱল প্ৰাদেশিক কৰ্ত্তৃত্ব দিলেই যথেষ্ট নহব।

কিন্তু নতুন ভাৰত সচিব স্যাৰ স্যেমুৱেল হোৱে আগেয়ে কৈ ৰাখিছে যে চিপাহীবিলাকৰ ওপৰত, ৰাজহৰ ওপৰত আৰু বৈদেশিক বিষয়ৰ ওপৰত কৰ্ত্তৃত্ব বৃটিছ গভৰ্ণমেণ্টে এৰি দিব নোৱাৰে। তেনেস্থলত কিমানখিনি কি হব তাক একো বুজিব পৰা নাযায়। বৰং এইটোকে

বৃটিছ গভৰ্ণমেণ্টৰ আগৰ পৰাই অভিপ্ৰায় বুলি যদি কোনোবাই সন্দেহ কৰে তেনেহলে তাত আচৰিত হবৰ একো নাই। আৰু ইমানখিনি আড়ম্বৰ যে কেৱল ভাৰতবাসীক ভুৱা দিবলৈহে বুলি ভবাটোও একো অস্বাভাবিক কথা নহয়।

কংগ্ৰেচ ৱৰ্কিং কমিটিৰ সিদ্ধান্ত

দেশৰ অৱস্থা গুৰুতৰ হৈছে বুলি ৱৰ্কিং কমিটিয়ে মহাত্মা গান্ধীলৈ টেলিগ্ৰাম কৰি জনাইছে। আৰু তেওঁৰ প্ৰস্তাবিত য়ুৰোপ ভ্ৰমণৰ সঙ্কল্প এৰি খৰখেদাকৈ ভাৰতলৈ উভতি আহিবলৈ অনুৰোধ জনাইছে।

এই অনুৰোধৰ আচল কথা হ'ল ভাৰত গভৰ্ণমেণ্টৰ ফালৰপৰা সম্প্ৰতি বঙ্গদেশ, সীমান্তপ্ৰদেশ, যুক্তপ্ৰদেশ আৰু আন আন ঠাইত অতি অসাধাৰণ অৱস্থাৰ সৃষ্টি কৰা হৈছে। কংগ্ৰেচৰ ফালৰপৰা এনে অৱস্থাত কি পন্থা অৱলম্বনীয় হব পাৰে তাক ঠিক কৰাটো আৱশ্যক হৈছে বুলি ভবা হৈছে। ৰাউণ্ড টেবল কনফাৰেন্সৰ পৰিণামৰ বিষয়ে মানুহৰ মনত যেনে ভাবৰ সন্দেহ আহি উপস্থিত হৈছে, গভৰ্ণমেণ্টৰ নানা অৰ্ডিনান্স জাৰি আৰু আন কাৰ্য্যকলাপে তাক দৃঢ় কৰি তুলিবলৈ বাধ্য কৰিছে। ৰাউণ্ড টেবল কনফাৰেন্সত বাঞ্ছিত ফল লাভ নহলে মহাত্মা গান্ধীয়ে আকৌ আইন অমান্য আন্দোলন আৰম্ভ কৰিব বুলি কৈছে আৰু গভৰ্ণমেণ্টেও তাক ভালদৰে জানে। সেই দেখি গভৰ্ণমেণ্টে আগৰ পৰাই ৰাউণ্ড টেবলৰ ব্যৰ্থতা বুজি পায় আৰু সেই নিমিত্তে আইন অমান্য আৰম্ভ হোৱাৰ আগেয়ে তালৈ সাজু হব বুলি জনসাধাৰণ নাইবা কংগ্ৰেচৰ বিশ্বাস হোৱা অস্বাভাবিক নহয়। সেই নিমিত্তে ভবিষ্যত কৰ্ত্তব্য স্থিৰ কৰিবলৈ মহাত্মা গান্ধীলৈ বাট চোৱা হৈছে।

কিন্তু কিছুমানৰ মত যে নিৰুপদ্ৰৱ আইন অমান্য এবাৰ যেতিয়া স্থগিত ৰাখা হৈছে তেতিয়া এমাহ দুমাহ আগেয়ে বা পিছে তাক আকৌ আৰম্ভ কৰাত বিশেষ একো ক্ষতি হব নোৱাৰে। তেতিয়ালৈকে দেশৰ আন কাম চলোৱা, নাইবা কৰ্ম্মী সকলক পৰিচালনা কৰাৰ ক্ষমতা দেশৰ আন নেতাসকলৰ যথেষ্ট আছে। এনে অৱস্থাত য়ুৰোপৰ যিবিলাক দেশলৈ মহাত্মাজীক আহ্বান কৰা হৈছে সেই বিলাকলৈ গলে এফালে যেনেকৈ সেই বিলাক ঠাইৰ আৰু এনেকি পৃথিবীৰ উপকাৰ হব পাৰে, মানুহৰ লগত মানুহৰ যুদ্ধবিগ্ৰহৰ ভাবৰ পৰিবৰ্ত্তে অহিংস ভাবৰ আগন্তুক হব পাৰে আৰু সশৰীৰে এই অহিংসাৰ পুৰোহিতৰ সাক্ষাৎ লাভৰ পৰা ভাৰতৰ আধ্যাত্মিক শক্তিৰ বিষয় উপলব্ধি সহজ হব পাৰে, আনফালে তেনেকৈ ভাৰতৰ জাতীয় সাধনালৈ এইবিলাক দেশৰ সহানুভূতি বাঢ়িব পাৰে। কথাটো একেবাৰে উৰাই দিবলগীয়া নহয়।

অৱশ্যে কংগ্ৰেচ কমিটিয়ে মহাত্মাৰ ওপৰতে বিবেচনাৰ ভাৰ দিছে।

নতুন "ৰয়েলিষ্ট" দলৰ কীৰ্ত্তি

আজি অলপ দিনৰ আগেয়ে "ৰয়েলিষ্ট" বুলি প্ৰবাসী য়ুৰোপীয়ান সকলৰ এটা দল গঠিত হৈছে। কলিকতাৰ কোনো এখন সহযোগীয়ে এই দল সংগঠনৰ সম্বন্ধে এইদৰে সন্তোষ প্ৰকাশ কৰিছে—ই বৰ প্ৰশংসাৰ কথা। কাৰণ কিছুদিন আগলৈকে দেখা গৈছে যে ভোটৰ তালিকাত বহুত য়ুৰোপীয়ানৰ নাম থকা সত্বেও তেওঁলোকৰ কোনো ভোটাৰৰ ভোট দিবলৈ আহিবলৈ প্ৰবৃত্তি হোৱা নাছিল। ভাৰতৰ জাতীয় আন্দোলনক কেৱল দোষাৰোপ কৰাৰ বাহিৰে তেওঁলোকৰ আন কিবা ৰাজনৈতিক চেতনা আছিল আৰু সি দল বান্ধি কাজ কৰিছিল, এনে কথা মনত নপৰে।

যিকি নহক অলপতে মিঃ ভিলিয়াৰ্স বুলি য়ুৰোপীয়ান সভাৰ সভাপতিজনক কোনোবা এজনে গুলী কৰাৰ দিনা সেই ঘটনাৰ ঠিক দুঘণ্টা পিছত এই 'ৰয়েলিষ্ট' সকলৰ এখন ৰঙা জাননী বিলি কৰা হৈছে। জাননীত আজি কেই মাহ মানৰ ভিতৰত হত-আহত চৰকাৰী বিষয়া সকলৰ এটা তালিকা দিয়া হৈছে। আৰু সেই তালিকাৰ পিছত লিখা হৈছে "We want action"। ইয়াৰ সৰল মানে আমাৰ ভাষাত "আমি কাজ বিচাৰোঁ বা আমাক কাজ লাগে" হলেও জাননীৰ সেই ঠাইত ইয়াৰ যদি কোনোবাই এনে অৰ্থ কৰে যে "আমি প্ৰতিশোধ বিচাৰোঁ" তেনেহলে বোধহয় তাত কিবা ভুল হলেও একো দোষ হব নোৱাৰে। আৰু বহুত কাকতৰ সম্পাদকে ইয়াৰ এনে অৰ্থকে প্ৰকাশ কৰিছিল। যেনেদৰে হতাহতৰ নাম দি জাননী খন লিখা হৈছিল আৰু যেনে দৰে তাৰ শেষত We want action লিখা হৈছিল তাত এই বিলাক হিংসামূলক কাৰ্য্যক হিংসাজনক প্ৰতিহিংসা বুলি ধৰি লোৱা খুব সম্ভৱ। আৰু আইনৰ চকুত এই হিংসামূলক উত্তেজনাৰ নিমিত্তে দণ্ডনীয় হোৱা উচিত।

অৱশ্যে দেশী সম্পাদক বিলাকে ইয়াৰ এনে অৰ্থ প্ৰকাশ কৰাৰ পিছত তেওঁলোকৰ অভিপ্ৰায় তেনে নাছিল আৰু কেৱল গভৰ্ণমেণ্টকহে এইবিলাক ৰাজনৈতিক হত্যা বন্ধ কৰিবলৈ অনুৰোধ কৰিছিল বুলি তেওঁলোকে প্ৰকাশ কৰে। গভৰ্ণমেণ্টলৈ আবেদন নিবেদন কৰিবৰ এই এটা নতুন আৰু বৰ অভিনৱ উপায় এই "ৰয়েলিষ্ট" সকলে

উদ্ভাবন কৰিলে। গবৰ্ণমেণ্ট এই জাননীৰ 'We want action'ৰ এই নতুন ব্যাখ্যাত সন্তুষ্ট হৈছে নে নাই আমি এতিয়াও বুজিব পৰা নাই। কিন্তু হলে এতিয়ালৈকে এই দলৰ কাৰ্য্যপ্ৰণালী সম্বন্ধে একো বিচাৰ আমাৰ চকু-কাণৰ সম্বন্ধত অহা নাই! আমি আশা কৰোঁ আইনৰ চকুত পাত্ৰাপাত্ৰ ভেদ নাই।

আয়াৰলেণ্ডত নতুন সমস্যা

আয়াৰলেণ্ড পাৰ্লামেণ্টত ১ম ভোট বেছি পাই ডি, ভেলেৰাৰ দলে ফ্ৰি ষ্টেট শাসনতন্ত্ৰ অচল কৰি দিছে। আয়াৰলেণ্ডৰ স্বাধীনতাৰ আন্দোলন বহু বছৰ চলোৱাৰ আৰু বহু জীৱন বলি দিয়াৰ পিছত মাইকেল কলিন্সে ইংলণ্ডৰ অধীনত ফ্ৰি ষ্টেট গ্ৰহণ কৰাৰ প্ৰস্তাৱ কৰিছিল। পূৰ্ণ স্বাধীনতাকামী আয়াৰলেণ্ড এই প্ৰস্তাৱত মৰ্ম্মাহত হৈছিল। আৰু চিনফিন দলে কলিন্সক হত্যা কৰিবলৈ পিছ পৰা নাছিল। কিন্তু দীঘলীয়া দিনৰ এই যুদ্ধত জাতি একেবাৰে শ্ৰান্ত ক্লান্ত হৈ এই ব্যৱস্থাকে মানিবলৈ বাধ্য হৈছিল। কিন্তু দেশৰ স্বাধীনতাৰ চিন্তাধাৰাই তলে তলে সুযোগ বিচাৰি ফুৰিছিল। ডি, ভেলেৰা প্ৰত্যক্ষ ভাৱে পৰাস্ত হলেও পৰোক্ষভাৱে তেওঁ এই শাসনযন্ত্ৰ অচল কৰিবলৈ "ডেল আইৰিন"ত প্ৰৱেশ কৰিছিল।

স্বাধীনতাৰ ঋষি ডি ভেলাৰাই তেওঁৰ সাধনাৰ বাটৰ সলনি কৰিলেও তেওঁ তেওঁৰ উদ্দেশ্য ঠিক ৰাখিছে। অলপদিন আগতে তেওঁ পৃথিবীক জনাই ৰাখিছে, সুযোগ সুবিধা পালেই তেওঁ আইৰিছ জাতিক ইংৰাজৰ লগত সম্বন্ধ এৰিবলৈ উপদেশ দিব। 'ডেল আইৰিণত' ৰজাৰ নামত শপত খোৱা আৰু ইংৰাজক কৰ দিয়া এই অপমানৰ পৰা জাতিক মুক্তি দিবৰ মনেৰে ইমান দিন সুবিধা বিচাৰি আজি তেওঁ জাতিৰ অধিকাংশ জনসাধাৰণৰ প্ৰতিনিধিৰ ভোট পাই ফ্ৰি ষ্টেট শাসনযন্ত্ৰ অচল কৰি দিবলৈ সক্ষম হৈছে। অৰ্থাৎ আয়াৰলেণ্ডে আজি আকৌ ইংলণ্ডৰ বিৰুদ্ধে তাৰ অভিমত প্ৰকাশ কৰিছে। স্বাধীনতাকামী জাতি এটাক যিমানে বন্দুক কামানৰে শাসন কৰা নাযাওক তাৰ মনৰ গতিত কোনেও কেতিয়াও বাধা দিব নোৱাৰে।

সমালোচনা

৫২৪৯/অ:

পাঞ্চজন্য—ৰচক আৰু প্ৰকাশক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা বি, এ।

ই এখন পাঁচোটি দীঘলীয়া কবিতাৰ কিতাপ। অসমীয়া ভাল লিখক হিচাপে হাজৰিকা ডাঙৰীয়াৰ নাম আগৰে পৰা আছে। পাঞ্চজন্যত তেওঁৰ সেই সুখ্যাতি বাঢ়ক ছাৰি টুটা নাই। কবিতা পাচোটি পঢ়িব ভাল লগা হৈছে। ছপা আদিও ভাল হৈছে। বেচ মাত্ৰ পাঁচ অনা। বেছি হোৱা নাই।

চন্দ্ৰকান্ত সিংহ—শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা প্ৰণীত আৰু প্ৰকাশিত বুৰঞ্জীমূলক পঞ্চাঙ্ক নাটক। বেছ—১৲। ভূঞা ডাঙৰীয়া এগৰাকী প্ৰতিষ্ঠাৱান লিখক। আজি কালি অসমীয়া ভাষাত বহুতো নাটক ওলাইছে। কিন্তু সেই বিলাকৰ বহুতখিনিয়ে অসমৰ ঘটনা অৱলম্বন কৰি লিখা নহয়। নাট্য সাহিত্য জাতীয় ভাব জাগৰণৰ সহজ উপায়। কিন্তু নাটক বিলাক জাতিৰ ইতিহাস বা সমাজৰ লগত সম্বন্ধ থকা হলে সেই উদ্দেশ্য বহুখিনি সিদ্ধ হয়। আন প্ৰদেশৰ বুৰঞ্জীমূলক নাইবা সামাজিক নাটকৰ বিষয় আমাৰ দেশত অভিনয় কৰি জাতীয়তা গঠনত যিমান খিনি সুফল ফলিবৰ আশা, আমাৰ নিজ দেশৰ নিজৰ সমাজৰ ঘটনাৰে সেই আশা তাতকৈ বহুত বেছি কৰিব পাৰি। অৱশ্যে নাটকৰ ভাষা আৰু আন আন বিষয় বিলাকে মানুহৰ চিত্ত আকৰ্ষণ কৰিব পাৰিব লাগিব। চন্দ্ৰকান্ত সিংহ, ভাষা আৰু আন আন নাটকীয় সম্পদত সেই বিষয়ে কৃতকাৰ্য্য হৈছে। তেজপুৰ "বাণ থিয়েটাৰ পাৰ্টিত" এই নাটকখন ছপোৱাৰ আগতে কেবাবাৰো অভিনীত হৈছে। আমি আশা কৰোঁ অসমত আন আন ঠাইতো ইয়াৰ অভিনয় কৰি অসমীয়া ৰাইজৰ ৰুচিৰ পৰিবৰ্ত্তন সাধিবলৈ সুচল হব, জাতীয় ভাব বঢ়াবলৈ ই সহায় কৰিব।

সমালোচনালৈ পোৱা কিতাপ

১। চাণক্য শ্লোক—শ্ৰীমহেশচন্দ্ৰ শৰ্ম্মা কটকী প্ৰণীত
২। নাম ঘোষা—প্ৰকাশক শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা
৩। দেৱমন্দিৰ শ্ৰীমাধৱচন্দ্ৰ শৰ্ম্মা প্ৰণীত
৪। স্বৰাজৰ নাম শ্ৰীবলোৰাম চলিহা প্ৰণীত
৫। মূৰ্খ শতক—শ্ৰীজনাৰ্দ্দন আচাৰ্য্য প্ৰণীত
৬। পুনৰুত্থান—শ্ৰীবেণুধৰ ৰাজখোৱাৰ দ্বাৰা ৰচিত
৭। যমপুৰী— ঐ
৮। পঞ্চকন্যা—শ্ৰীদেৱেন্দ্ৰনাথ চক্ৰবৰ্ত্তী ৰচিত
৯। মকতমা—শ্ৰীগোপালচন্দ্ৰ গোস্বামী বি-এ প্ৰণীত
১০। গুণ গুণ—শ্ৰীঘনশ্যাম চলিহা ৰচিত
১১। নবৰত্ন—শ্ৰী ৰাধেশ্বৰ শৰ্ম্মা ৰচিত
১২। প্ৰাচীন বৰনগৰ—শ্ৰীচিন্তাহৰণ পাটগিৰি ৰচিত
১৩। সৰল ৰামায়ণ— ঐ
১৪। সমবায় সমিতি—শ্ৰীললিতকুমাৰ বৰুৱা
১৫। শ্ৰীকৃষ্ণ (মধ্যলীলা)—শ্ৰীপদ্মনাথ গোহাঞি বৰুৱা

[পিছলৈ সমালোচনা কৰা হব]

৭নং বিদ্যাসাগৰ ষ্ট্ৰীটৰ 'কামৰূপ প্ৰেছ'ৰ পৰা শ্ৰীঅপূৰ্ব্বকুমাৰ ভূঞা দ্বাৰা মুদ্ৰিত আৰু শ্ৰীদীননাথ শৰ্ম্মাৰ দ্বাৰা প্ৰকাশিত

৫২৫০/আ:
১০. ৬. ৯৯

আৱাহন



পণ্ডিত কনক চন্দ্ৰ শৰ্ম্মা

অসম সাহিত্য সভা
ASAM SAHITYA SABHA

Lakshmibilas Press Ltd.

৫২৫০/অ:



৩য় বছৰ ২য় সংখ্যা | আৰাহন | আষোণ ১৮৫৩ শক

চণ্ডীপদৰ টোপোলা বুদ্ধদেৱ

—শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা

ভাৰতবৰ্ষৰ পুৱণি পুথিবিলাকত ভগৱন্তৰ যি দশ অৱতাৰৰ কথা আছে তাৰে নৱমজনাক বুদ্ধদেৱ বোলে। বুদ্ধদেৱৰ অৱতাৰকে বুদ্ধাৱতাৰ বুলি কয়। কল্কী অৱতাৰ এতিয়া হোৱা নাই এথোন, ভবিষ্যতলৈহে হোৱাৰ কথা আছে। এতেকে আমি এতিয়া বুদ্ধদেৱৰ আমোলতেইহে আছো বুলি ধৰি লব পাৰোঁহঁক। ভাৰতীয় শাস্ত্ৰৰ পঞ্চম বেদ মহাভাৰতৰ অন্তৰ্গত গীতাংশত থকা শ্ৰীকৃষ্ণ ভগৱন্তৰ উক্তিমতে বুজিবলৈ গ'লে, যেতিয়া ধৰ্ম্মৰ বিপ্লৱ হয় আৰু অধৰ্ম্ম বাঢ়ে, তেতিয়া ভগৱন্ত পুনৰাৱ অৱতাৰ হয় আৰু তেওঁ অৱতীৰ্ণ হৈ, পাপীক বিনাশ কৰি আৰু সাধুসকলক ৰক্ষা কৰি পুনৰ ধৰ্ম্ম সংস্থাপন কৰে। যেনে—

যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভবতি ভাৰত।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানাং সৃজাম্যহং॥
পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্ম্ম সংস্থাপনার্থায় সম্ভৱামি যুগে যুগে॥—গীতা

এতেকে দেখা যায়, বুদ্ধদেৱ নিশ্চয় জগতত অধৰ্ম্ম

গুচাই ধৰ্ম্ম সংস্থাপন কৰিবলৈহে পৃথিবীত অৱতীৰ্ণ হৈছিল। পৃথিবীত পাপৰ সংখ্যা বঢ়াবৰ নিমিত্তে ভগৱন্তই অৱতাৰ নধৰে, অৱতাৰ ধৰে বা আৱিৰ্ভাৱ হয় জগতৰ কল্যাণৰ নিমিত্তে, সত্যপথ প্ৰদৰ্শনৰ অৰ্থেহে। বুদ্ধদেৱো তেনে পথপ্ৰদৰ্শনৰ অৰ্থেহে জগতত অৱতীৰ্ণ হৈছিলহি।

কোনোৱে কয় বুদ্ধদেৱ হেনো নাস্তিক আছিল, কিন্তু ইয়াক এটা মিছা কলঙ্ক বা অপবাদত বাজে কেতিয়াও সত্য বুলি ধৰিব নোৱাৰি। বৌদ্ধগ্ৰন্থত কৈছে—

"অনেক জাতি সংসাৰং সন্ধাবিস্সং অনিব্বিসং।
গহকাৰকং গবেসন্তো দুক্খা জাতি পুনপ্পুনং॥
গহকাৰক দিট্‌ঠোসি পুনগেহং নকাহসি।

* * *

সব্বা তে ফাসুকা ভগ্‌গা গহকুটং বিসঙ্খিতং।
বিসঙ্খাৰ গতং চিত্তং তানহানং খয় মজ্‌ঝগা॥"

অৰ্থাৎ দেহৰূপ গৃহ-স্ৰজোঁতাক বিচাৰোঁতে, কিন্তু তেওঁক নেপাই, কতবাৰ জন্ম গ্ৰহণ কৰিলো। পুনঃ পুনঃ জন্ম গ্ৰহণ কৰা কি দুঃখকৰ!! হে গৃহ নিৰ্ম্মাণকৰোঁতা! এইবাৰ তোমাক দেখা পাইছোঁ, আৰু ঘৰ সাজিব নোৱাৰিবা। তোমাৰ চতি, মাৰলি, কৰা প্ৰভৃতি ঘৰ সজা সজুলি নষ্ট হৈ গল; নিৰ্ব্বাণৰ লগত মোৰ চিত্তত সকলো তৃষ্ণা ক্ষয় পাইছে। আকৌ

"অত্তাহি অত্তনো নাথো কোহি নাথো পৰোসিয়া।
অত্তনাব সুদন্তেন নাথং লভতি দুল্লভং॥"

অৰ্থাৎ আত্মাই আত্মাৰ নাথ বা গৰাকী; আৰু আন কোন গৰাকী আছে? আত্মাক সুসংযত কৰিব পাৰিলে দুৰ্ল্লভ নাথ লাভ কৰে। নাস্তিক কাক বোলে? যি ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰে। যদি হে বুদ্ধদেৱ নাস্তিকেই আছিল, তেন্তে তেওঁ এই গৃহ নিৰ্ম্মাণ কৰোতাজন নো কাক বুলিলে? দুৰ্ল্লভ নাথ নো কোন? পৰমেশ্বৰ জানো নহয়? তেনেহলে নো বুদ্ধদেৱক আমি নাস্তিক বুলিম কেনেকৈ? আমি দেখোঁতে বুদ্ধদেৱ ঈশ্বৰৰ অস্তিত্ব নমনা নহয়। বৌদ্ধগ্ৰন্থত আৰু কৈছে "ব্ৰহ্মত স্থিতি কৰি ধৰ্ম্ম প্ৰচাৰ কৰিম; ব্ৰহ্মপদত নিপতিত হৈ সকলোৱে মোৰ পৰা ধৰ্ম্ম শিক্ষা কৰিব।" এই উক্তি বুদ্ধদেৱৰ নিজ মুখৰ কথা। এই 'ব্ৰহ্ম' ঈশ্বৰক বুজোৱা শব্দই আৰু আমি দেখোতে এই 'ব্ৰহ্ম' মানে বুদ্ধদেৱে ঈশ্বৰকেই বুজাইছে। গতিকে বুদ্ধদেৱক কোনোমতেই নাস্তিক বুলিব নোৱাৰি।

বুদ্ধদেৱ বেদৰ কিছুমান ক্ৰিয়াকৰ্ম্মৰ (যেনে—নানা ৰকমৰ পূজা, মৃতকৰ শ্ৰাদ্ধ ইত্যাদিৰ) বিৰোধী আছিল; তেওঁৰ মতে নিৰ্ব্বাণেই আচল। তেওঁ ব্ৰাহ্মণক সৰ্ব্বশ্ৰেষ্ঠ বা সমাজৰ পূজনীয় নেতা বুলি স্বীকাৰ নকৰিছিল। এই বিলাক কাৰণে যদি তেওঁক বেদ নমনা বুলি ধৰি লৈ নাস্তিক বোলা হয়, তেন্তে তেনে লোক বা সম্প্ৰদায় আৰ্য্যধৰ্ম্মী সকলৰ ভিতৰতো অনেক ওলাব। বুদ্ধদেৱৰ "নিৰ্ব্বাণ" হৈছে "বাণা নল্মীতি নিব্বাণং" অৰ্থাৎ বাণ বা তৃষ্ণাৰ অভাৱেই নিৰ্ব্বাণ। কোনোৱে কয় - "তন্‌হায় বিপ্পহানেন নিব্বাণংইতিবুচ্চতি" অৰ্থাৎ তৃষ্ণা ক্ষয় হলেই তাকে নিৰ্ব্বাণ বোলে। আকৌ "ছন্দৰাগ বিনোদনং নিব্বাণং পদমচ্চুতং" অৰ্থাৎ বাসনা আৰু অনুৰাগৰ অপনোদনেই অচ্যুত নিৰ্ব্বাণ পদ, এইদৰেও কয়। কোনো কোনো বৌদ্ধগ্ৰন্থত "ৰাগ দ্বেষ মোহ ক্ষয়াৎ পৰিনিব্বাণং" অৰ্থাৎ হেঁপাহ, খেপ আৰু অজ্ঞানতাৰ ক্ষয় হোৱাকে নিৰ্ব্বাণ বুলি লিখিছে। আকৌ "নিব্বাণং পৰমং সুখম্" অৰ্থাৎ নিৰ্ব্বাণেই পৰম সুখ, এনেকৈ বুলিছে। আৰু অমৰকোষত নিৰ্ব্বাণ, মুক্তি, কৈবল্য, অমৃত প্ৰভৃতিক একাৰ্থবাচক শব্দ বুলিছে। গতিকে নিৰ্ব্বাণ একেবাৰে শূন্য নহয়। নিৰাকাৰ বুলিলেও আকাৰ নথকা শূন্য বুজিব নেলাগে। সেই পৰম বস্তু বাক্যৰ অতীত আৰু অসীম। সীমাযুক্ত বাক্যেৰে সেই তত্ত্ব বুজাব নোৱাৰে আৰু বুজিবও নোৱাৰে। যি বিদ্যাৰে বাক্য স্ফুৰণ নকৰাকৈ মনে মনে থাকিয়েই বুজাব পাৰে আৰু বাক্য নুশুনাকৈয়ে মনতে বুজি লব পাৰে সেই বিদ্যা লাভ হলেহে সেই পৰম বস্তুৰ স্বৰূপতত্ত্ব বুজে। বুদ্ধদেৱৰ উপদেশ বিলাক সজ উপদেশহে, বদ উপদেশ নহয়। তেওঁৰ পঞ্চশীলৰ উপদেশ যেনে (১) জীৱহত্যা এৰাঁ, (২) চুৰ কৰিবলৈ এৰাঁ, (৩) লম্পটালি বা পৰস্ত্ৰী কামনা এৰাঁ, (৪) মিছা কথা এৰা, (৫) মইমতালিৰ কাৰণ স্বৰূপ মদ বা ফটিকা, ভাং ইত্যাদি এৰাঁ—এয়েই। এই পঞ্চশীলপালকে

প্ৰজ্ঞাদি পাৰমিতা বিলাক সাধনা কৰি সিদ্ধ হব পাৰিলেহে সেই বিদ্যা লাভ কৰিব পাৰে।

শ্ৰীমৎ শঙ্কৰাচাৰ্য্য স্বামীয়ে "দক্ষিণামূৰ্ত্তিৰ স্তোত্ৰ"ত কৈছে:—

চিত্ৰং বটতৰোৰ্মূলে বৃদ্ধাঃ শিষ্যাঃ গুৰুৰ্যুবা।
গুৰোস্তু মৌনং ব্যাখ্যানং শিষ্যাস্তু ছিন্নসংশয়াঃ॥

অৰ্থাৎ ই অতি বিচিত্ৰ মাহাত্ম্য—বটবৃক্ষৰ মূলত (বা তলত) গুৰুৱে শিষ্যবৰ্গৰ লগত থাকি, কোনো বাক্য উচ্চাৰণ নকৰাকৈ মৌন হৈ ধৰ্ম্ম ব্যাখ্যান কৰিছে আৰু বৃদ্ধ শিষ্যসকলে কাণত কোনো বাক্য প্ৰবেশ নকৰাকৈ সেই মৌন ব্যাখ্যা মনতে বুজি লৈ সংশয়বিলাক ছেদ কৰিছে। 'মহিম্ন স্তৱ'ত সেই পৰম বস্তুক স্তুতি কৰিবলৈ (অৰ্থাৎ সেই পৰম বস্তু নো কি? কেনে? ইত্যাদি প্ৰকাশ কৰিবলৈ) ব্ৰহ্মাৰো শক্তি নাই বুলিছে। শ্ৰীমৎ ৰামকৃষ্ণ পৰমহংসদেৱেও সেই পৰম বস্তুক বাক্যেৰে প্ৰকাশ কৰা অসম্ভৱ দেখি উচ্ছিষ্ট নহয় বুলিছে। অতএব দেখা গৈছে বুদ্ধদেৱক কেতিয়াও নাস্তিক বুলিব নোৱাৰি, তেওঁ নিশ্চয় নাস্তিক নাছিল; নাস্তিক হোৱা হ'লে, তেওঁক ভগৱান বিষ্ণুৰ নৱম অৱতাৰ বুলি জ্ঞানীসকলে স্বীকাৰ কৰি শাস্ত্ৰত লিখি থৈ কেতিয়াও নগল হেঁতেন। আৰু শ্ৰীমৎ শঙ্কৰাচাৰ্য্য স্বামীয়েও "ধৰাবদ্ধপদ্মাসনস্থাঙ্ঘ্ৰি যষ্টিৰ্নিয়ম্যানিলং ন্যস্তনাসাগ্ৰদৃষ্টিঃ। য আস্তে কলৌ যোগিনাং চক্ৰবৰ্ত্তী সংবুদ্ধঃ প্ৰবুদ্ধোস্তু নিশ্চিন্তবৰ্ত্তী॥" বুলি তেওঁক স্তুতি নকৰিলে হেঁতেন।

আমাৰ কীৰ্ত্তন পুথিখন মহাপুৰুষ শঙ্কৰদেৱৰ ৰচিত আৰু ই ভাগৱতৰ ভাঙ্গনী মাথোন। তাত আছে---

বুদ্ধ অৱতাৰে বেদ পন্থ কৰি ছন্ন।
বামানয় শাস্ত্ৰে মুহি আছা সৰ্ব্বজন॥

* * *

কলিৰ শেষত হৈবা কল্কী অৱতাৰ।
কাটি মাৰি ম্লেচ্ছক কৰিবা বুন্দামাৰ॥
সবাকো বধিবা বৌদ্ধগণ যত আছে।

* * *

শ্ৰীমৎ দয়ানন্দ সৰস্বতী স্বামীয়ে এই ভাগৱত পুথিখন মহৰ্ষি ব্যাসদেৱ ৰচিত নহয় বুলি আৰু বোপদেৱ গোস্বামী নামে এজন পণ্ডিতে ৰচনা কৰা বুলি সুন্দৰ আৰু স্পষ্টৰূপে প্ৰমাণ কৰিছে। বাস্তৱিকে ভাগৱতত ভূগোল বিদ্যাৰ যি পৰিচয় পোৱা যায়, তাৰপৰা ইয়াক অৱতাৰী পুৰুষ মহৰ্ষি ব্যাসদেৱৰ ৰচনা বোলা বৰ টান হৈ উঠে। এই ব্যাসদেৱ এজন অৱতাৰ; এওঁ মহাযোগী আছিল। এওঁ চকুৰে নেদেখা কথাও যোগবলে কব পাৰিবৰে কথা। এনে স্থলত তেওঁৰ জন্মস্থান যমুনাৰ কাষত থকা গোকুলৰপৰা মথুৰালৈ মাত্ৰ চাৰি মাইল মানহে যে দূৰ আছিল, তাকে তেওঁ নজনাৰ কোনো কাৰণ নাই। ভাগৱত নামৰ পুথিখন ব্যাসদেৱৰ ৰচনা হোৱা হলে, তাত অক্ৰূৰে বায়ু-গতিৰ ঘোঁৰা লগোৱা ৰথত উঠি অতি প্ৰত্যূষেই গৈ সূৰ্য্যাস্তৰ সময়ত মথুৰাৰপৰা গোকুল পাইছিলগৈ বুলি লিখা নাথাকিল হেঁতেন। যদি ভাগৱতক ব্যাসদেৱৰ ৰচিত বুলি মানি লোৱা হয়, তেনেহলে ওপৰুক্ত কথাখিনি প্ৰক্ষিপ্ত বুলি ধৰিব লাগিব। সেইদৰে 'সবাকো বধিবা বৌদ্ধগণ যত আছে।' ইত্যাদি কথাখিনি যে প্ৰক্ষিপ্ত তাৰ কোনো সন্দেহ নাই। আৰু যদি সেই কথাখিনি সত্য বা প্ৰামাণ্য বুলি ধৰি লোৱা হয়, তেনেহলে বুদ্ধদেৱক বিষ্ণুৰ নৱম অৱতাৰ বোলাটোৱেই যুক্তিহীন হৈ পৰে। বুদ্ধৰ উপদেশ যি পালন কৰে তেৱেঁই বৌদ্ধ; বৌদ্ধধৰ্ম্মৰ পঞ্চশীল পালন কৰোঁতাসকল সাধু পুৰুষ। এতেকে সাধুক বিনাশ কৰিবলৈ যদি কল্কী অৱতাৰ হয়, তেন্তে সেই কল্কী অৱতাৰ ভগৱন্ত প্ৰভুৰ কেতিয়াও অৱতাৰ হ'ব নোৱাৰে।

'বামানয় শাস্ত্ৰখন কি? "বামানয়" মানে কি? এই কথা এজন সংস্কৃতজ্ঞ পণ্ডিতক সোধাত, তেখেতে 'বামং নয়তীতি বামানয়ঃ' এনে বুলি কৈছিল। আৰু "বামা" মানে 'আওহতীয়া'; আকৌ "বামা" শব্দে "তিৰোতা"কো বুজায়। 'নয়' মানে 'নীতি'। অতএব দেখা গৈছে পঞ্চমকাৰৰ পূৰ্ণ ব্যৱহাৰ যি শাস্ত্ৰত আছে, তাকে 'বামানয়' শাস্ত্ৰ বোলে। ভাগৱতৰ অনুকৰণে লিখা আমাৰ কীৰ্ত্তন পুথিত এই বৌদ্ধশাস্ত্ৰখনকে "বামানয় শাস্ত্ৰ" বুলিছে, কিন্তু ই সম্পূৰ্ণ মিছা কথা; কাৰণ বৌদ্ধ শাস্ত্ৰত পঞ্চমকাৰৰ কোনো সম্পৰ্ক নাই। গতিকে বৌদ্ধ

শাস্ত্র কেতিয়াও "বামানয" নহয়। আমাৰ আৰ্য্য বা ব্রাহ্মণ্য ধর্ম্মৰ ভিতৰত (কোৱা শুনা যায়) "গোপীধাৰা" বুলি হেনো এধাৰা ভকতি আছে আৰু সেই ভকতি হেনো ভাগৱতত লিখা (বাধাকৃষ্ণৰ প্রেমৰ অনুকণেৰে) গোপী সকলৰ লগত শ্রীকৃষ্ণৰ বাসলীলাৰ এটা সংস্কৰণ। যদি সেয়ে হয়, তেনেহলে তাকেই "বামানয় শাস্ত্র" বুলিব লাগিব আৰু গোপীধাৰা ভক্তিত চলা ভক্তসকলে ভাগৱতৰ বাসলীলাক যি অর্থেৰে বুজিছে যদি সিবিলাকৰ তেনে অর্থই ঠিক হয়, তেনেহলে আমি বাধ্য হৈ কম যে জগদ্‌গুৰু ভগৱান শ্রীকৃষ্ণই পূর্ণব্রহ্মৰূপে অৱতাৰ ধৰি জগতত নৰকপে ভাও দিয়াৰ সময়ত স্বয়ং ব্যভিচাৰ কর্ম্ম কৰি দেখুৱাই নিজেই নিজৰ বংশসমূহিতে ধ্বংস কৰি জগতৰ নৰনাৰী সকলৰ নিমিত্তে ভবিষ্যতে সতর্ক হবলৈ এটা অলঙ্ক দৃষ্টান্ত থৈ গৈছে মাথোন।

আমাৰ পুৰাণত 'বৈকুণ্ঠপুৰী'খনৰ কথা বৰ ডাঙৰকৈ লিখিছে; বৌদ্ধশাস্ত্রত কিন্তু "নিৰ্ব্বাণ"কহে ঘাই প্রেয় বুলিছে; বৌদ্ধশাস্ত্রতো বৈকুণ্ঠৰ তুল্য লোকৰ কথা আছে। পুণ্যৰ ফলেৰে তালৈ মৃত্যুৰ পাছত যাব পাৰে; কিন্তু তেনে ঠাই পালেও ঘুৰি আহিব লগাত পৰে কাৰণে বৌদ্ধধর্ম্মী নির্ব্বাণ-প্রয়াসী সাধুসকলে তালৈ যাবা নেবাধি, তৃষ্ণা-মুক্ত উভালি নির্ব্বাণ লাভ কৰিবলৈহে যত্ন কৰে। সেই "নির্ব্বাণ" নো কি বস্তু? ভগৱান শ্রীকৃষ্ণই যে গীতাত "যদ্গত্বা ন নিবর্ত্তন্তে তদ্ধাম পৰমং মম।" বুলি কৈছে সেয়েই।

জীৱন-সমাধি

গল্প— —শ্রীযুত হলীৰাম ডেকা, এম-এ, বি-এল

"মনতৰ শ্রেষ্ঠ সম্পদ জীৰ্ণ প্রাণখিনি লৈ দুৱাৰে দুৱাৰে ঘুৰিছো এটি কৰুণ চাৰনিৰ বাবে, এষাৰি মিঠা মাত, এটা আশ্বাসৰ দমুনাহাৰ বাবে। কেও ক'তো নাই, নিজান বিশ্বৰ নীৰৱ কোনোবা চুকত মাটিকে আঁকোৱালি পৰম মিতিৰ বুলি শেষ নিশাস কাঢ়িম, এয়ে মোৰ আশা।" এই কথাখিনি তুলাপাত এডুখৰিত লেখি লৈ এজন বুঢ়ী মনাই পঢ়িছে, আৰু কিবা লেখিব নে ইয়াতেই তেওঁৰ আকাঙ্ক্ষাৰ শেষ নিজে ভাবিছে। কথা কেইখাঁকি পঢ়ি লোকে যি সুবুজক, তেওঁ ঘৰ-দুৱাৰহীন মগনীয়া নহয়, গাবলৈ নাপাই তেওঁৰ আলাই আথানি হোৱা নাই, সমাজত প্রতিপত্তিৰ ফালৰ পৰাও নিচেই তলখাপৰ নহয়—তেওঁৰ ভাব তেওঁৰ বিশেষত্ব। কাকতখিলাৰ ওপৰত উৰিব নোৱাবাকৈ ফুল-কটা হাতীদাঁত এডুখৰি থৈ বুঢ়াজনে ওচৰৰ দুৱাৰ এটা টানি মেলিলে। পাট মুগা কিআপৰ নানা বন-কৰা কাপোৰত ওগাৰ ফুলবোৰ জিলমিলকৈ উঠিল, চন্দনমান কাপোৰ ডাঙি তাৰ তলবপৰা এখনি নবঢোঙা ফটোগ্রাফ উলিয়ালে। বিবিজীৰ কাষলৈ নি ফটোটো চালে, মোনাৰ পৰা শুভ্র কমাল এখন উলিয়াই ফটোখনৰ ওপৰখন আলফুলকৈ মচিলে, আকৌ চালে, স্থিৰ দৃষ্টি। মুখত হাঁহিৰ পাতল বেখা এটা বিবিজি উঠল, চকু যদিও ভাবাবেশত অবশ। এনেতে তেওঁ থকা কোঠালীৰ দুৱাৰত ঠকৰ-ঠকৰকৈ দুটা শব্দ হ'ল, তেওঁ যদিও অতি সামান্য বিষয় হোৱাৰ ভাব দেখা পৌছিল, ফটোখন যথাস্থানত থৈ, দুৱাৰ জপাই আহি দুৱাৰখন মেলি দিলে, দেখে যে আন কোনো নহয়, তেওঁৰ নেপালী গৰখীয়াজনৰ লৰা লালটু। সি আগেয়ে ইমান ভিতৰলৈ আহি গালিচা পৰা কমৰ ওপৰেদি খোজ কাঢ়ি থৈ ভীমসেন বৰুৱাৰ শোৱা কোঠালীৰ দুৱাৰত থুনিয়াবলৈ কেতিয়াও সাহ কৰা নাছিল। সি যদিও কিবা ভাবৰ বা সাময়িক উত্তেজনাৰ বশত কৰিছিল, বৰুৱাক দুৱাৰ মুখত দেখি নিমাত হ'ল। বৰুৱায়ো আশা কৰিছিল কোনোবা ডাঙৰ অন্ততঃ ধনিষ্ঠজন হব বুলি, কিন্তু আন কাকো নেদেখি লালটুৰে এই কৰ্ম্ম কৰা বুলি জানিলে, তাৰ ফালে হাঁহিমুখে চালে। সি তলমুৱ যদিও চকুৰ কোণেদি বৰুৱাৰ মুখ লক্ষ্য কৰি আছিল আৰু যেতিয়াই তেওঁৰ মুখত অনুসন্ধিৎসাৰ ভাব গুচি হাঁহিৰ বিস্ফুৰিত ফুটল সি সক মুখখনত হাঁহিৰ খলকনি তুলি সংবাদ দিলে 'ফুলবী জগিছে; অকল সেয়ে নহয় পোৱালিটো কিমান ডাঙৰ হৈছে, কপালৰ ফোঁটাটো কিমান ডাঙৰ হৈছে, পিতাকে কেনেকৈ সেকিলে, কেইবাৰ উঠি পোৱালিটো কেইবাৰ পৰিল, সি ধানখেৰেৰে ভৰিখন বান্ধি দিয়াত কেনেকৈ তেতিয়াবপৰা খোজ কাঢ়িব পৰা হল সকলো বৃত্তান্ত বহলাই কলে, তাৰ আনন্দ সংক্রামিত হ'ল। বৰুৱাই তাৰ মুৰত থপৰিয়াই কলে, "গোৱালিৰ নাম থলি নে নাই?" সি কলে "থৈছো 'লহৰ' " "বাৰু যা" বুলি কৈ বৰুৱা ভিতৰ সোমাব খুজিছিল, কিন্তু তাৰ দৃষ্টিত যাজ্ঞাৰ ভাব দেখি কলে "আক কি কথা?" লালটুৰে অতি বিনীতভাবে কলে, "এধাৰ জুম্‌কা, চুপইছানে কেই পইছা লাগে, পিতাই কৈছে।" বৰুৱাই তাৰ হাতত টকা এটা দি কলে, "যা তোৰ আক লহৰৰ বাবে।" বৰুৱা ভিতৰ সোমাল। লালটুৰে সাহ কৰি মুঠটো মেলি মনতে ভাবিলে "পিতাই কৈছিল দুটাৰ বাবে; এতিয়া এটাকে দিলে। এইটো ভাল পইছা, কিন্তু ডাঙৰো বগাও " সি মুঠি আকৌ টানকৈ মাৰি গোহালিৰ মুহা হৈ লব দিলে।

ভীমসেন বৰুৱা সমাজত অতি পৰিচিত লোক। তেওঁ বংশমর্য্যাদাৰ গৌৰৱ কৰি জীৱন আৰম্ভ কৰা নাছিল, উঠিছিল সামান্য অৱস্থাবপৰা। শিকালাভ কৰিছিল কেৰাণী হবৰ যোগ্যতাৰ হোৱাকৈ; কিন্তু কালৰ কোৰাল সোঁতত কেৰাণীগিৰি এৰি লাভজনক ব্যৱসায় এটা হাতত ললে। নিজৰ প্রদেশ এৰি বাণীগঞ্জৰ পৰা কইষাটুবলৈকে নানা ঠাইত ঘুৰিলে, ভাবতৰ নানা ঠাইত ঘৰদুৱাৰ সাজিলে, নানা অনুষ্ঠানলৈ মুক্তহস্তে দান কৰিলে, নানাজন শিল্পীৰ মুখত ভাত দিলে, কেৰাজনো আতুৰক, প্রতিষ্ঠান কৰি তুলিলে। তেওঁৰ গুণগ্রাহীৰ সংখ্যা সবহ, অগুণ-কাৰীৰ সংখ্যাও অতি কম নহয়; নোপোৱাই বিচাৰে পাবলৈ, পাওঁতাই বিচাৰে আৰু পাবলৈ—কাৰো তৃপ্তি নাই। বৰুৱা যেন চাকনৈয়াৰ ওপৰত কলপাত, সকলোবে হোপনি তেওঁক তললৈ নিবলৈ, কিন্তু ভাহি উঠে নিজৰ স্বাভাৱিক ধর্ম্মত।

বৰুৱাই নিজৰ জীৱন ফঁহিয়াই চায় নিজে, উপদেশ লয় নিজৰ ওচৰত, দাম্ভিকতা দেখুৱায় নিজৰ জীৱনৰ বুৰঞ্জীৰ ওপৰত, সকাতৰে আঁঠু লয় নিজৰ কল্পিত ভগৱন্তৰ মূর্ত্তিৰ আগত। তেওঁৰ শোৱা কুঠৰী সংসাৰৰ এফাল আৰু গোটেই জগত আনফাল। মানুহৰ ওচৰত তেওঁৰ দীনতা দাম্ভিকতা একো নাই, কাৰো ওচৰত কোনোদিন আত্ম-নিবেদন তেওঁৰ অভ্যাস বাহিবত, গোটেই জগত যেন ব্যৱসায়ৰ ক্ষেত্র—এয়ে তেওঁৰ ব্যবহাৰ দেখি অনুমান হয়। নাট্যকলাৰ উপমাত কবলৈ হলে জগতখন তেওঁৰ বঙ্গমঞ্চ আৰু তেওঁ শোৱা খোটালী সাজপাৰৰ ঠাই; নিজৰ মনৰ বা আত্মাৰ নগ্নৰূপ নিজে চাই তেওঁ ভাল পায়, অন্ততঃ স্বভাৱ দেখি তেনে ধাৰণা হয়।

বৰুৱাৰ নিদ্‌কসকলৰ ঘাই আহাৰ তেওঁ অকৃতদাৰ। নানাজনে নানাভাৱে তেওঁৰ প্রেমসী থকা বুলি আৰোপ কৰে, বহুতে চাক্ষুস প্রমাণ দিবলৈকো নাহ কৰে, কিন্তু তেনে কোন ভাগ্যৱতী যে ক'ত আছে কাৰো জনা নাই। নৰকাও অসম্ভৱ নহয় কিন্তু তেতিয়া সকলো জল্পনা কল্পনাৰ অন্ত পৰিব, সেই কাৰণে তেনে এটা থিওৰি বহুতে মনঃপুত নহয়। অন্তেঃ তেওঁলোকৰ আলোচনাৰ ফলত আন কাৰণে হ'ক নহ'ক এটা প্রায় সকলোবে বদ্ধমূল ধাৰণা হৈছিল যে বৰুৱাই কোনো এসময়ত এজনী ভদ্রবংশীয়া ছোৱালীৰ পাণিগ্রহণৰ বাবে উৎসুক হৈছিল, কিন্তু কিবাকিবি কাৰণত দুয়োৰে বিয়া নোহোৱাত তেওঁ

চিৰকাল অবিবাহিত থাকিবলৈ প্ৰতিজ্ঞা কৰিছিল। আৰু বৰুৱাৰ শোৱা কুঠৰী মণিকূটৰ দৰে আছুতীয়াকৈ ৰখাত বহুতৰে ধাৰণা হৈছিল যে তাত নিশ্চয় সেই গাভৰুৰ মূৰ্ত্তি বা আন স্মৃতিচিন বহুত আছে। বৰুৱাই ইকাণ-সিকাণকৈ যে এইবোৰ কথাৰ গম পোৱা নাছিল তেনে নহয়, কিন্তু তাৰ উত্তৰত তেওঁৰ কবলৈ একো নাছিল।

বৰুৱাই শ্বিলং চহৰত অলপ কেইবছৰমানৰ বাবে বাস কৰিছিল। তেতিয়াৰ কাহিনী লৈয়ে আমি এই প্ৰবন্ধ আৰম্ভ কৰিছোঁ। সেই সময়ত শ্বিলঙত থকা মহিলা সন্মিলনীৰ বছৰেকীয়া অধিবেশনত সভাপতিত্ব কৰিবলৈ তেখেতৰ আহ্বান হ'ল। কোনোৰকমে গা এৰাব নোৱাৰি সভাস্থলত উপস্থিত হল। মহিলা সন্মিলনে আন কিবা যোগ্যতালৈ চাই বৰুৱাক এই আসন যাচিছিল নে তেওঁৰ দানেৰে পুঁজি টনকিয়াল কৰাই তেওঁলোকৰ অভিপ্ৰায় আছিল, সেইটো কৰ্ত্ৰীপক্ষই জানে। কিন্তু তেওঁৰ নিন্দুকসকলে কৈছিল যে বৰুৱাই হেঁপাহ কৰি এই বাব লৈছিল। যি নহক, সভাত শ্ৰোতা অসংখ্য হৈছিল—থাকিব পাৰে তাত নানাজনৰ নানা অভিপ্ৰায়। অন্ততঃ এক শ্ৰেণীৰ দৰ্শকে গাভৰু স্বেচ্ছাসেৱিকাসকলৰ চাল-চলন দেখি সন্তোষত বাহিৰে অসন্তোষ প্ৰকাশ কৰা নাছিল, যদিও বয়সিয়াল ভদ্ৰমহিলাসকলৰ ভাব অন্য ৰকম যেন দেখা গৈছিল। যথাসময়ত বৰুৱাৰ অভিভাষণ আৰম্ভ হল। তেখেতে বিনয় সহকাৰে বক্তব্যৰ বান্ধ মুকলি কৰিলে আৰু ঘৰুৱা জীৱনৰ লগত যে তেখেতৰ ঘনিষ্ঠ সম্বন্ধ নাই তাকো তেখেতে নুলুকালে। কিন্তু যেতিয়া তেখেতে কবলৈ আৰম্ভ কৰিলে—"ভালেখিনি কথাৰ বাবে মই বন্ধু-বান্ধৱ সকলৰ ওচৰত ধৰুৱা। আজি আপোনালোকক যি কম তাৰ বাবেও তেখেতসকলৰ ওচৰত ঘাইকৈ ঋণী। মই শুনিবলৈ পাওঁ, বহুত বন্ধুৰ পৰা—তেখেতসকল অৱশ্যে পুৰুষ বন্ধু—যে আপোনালোকে ৰাতিপুৱা বিছনা এৰিবলৈ টান পায়। পুৱা আঠ বজাত উঠি নটা বজালৈকে, আপোনা-লোকৰ শৌচাচাৰেই শেষ নহয়, তেওঁলোক স্কুল-কাছাৰিলৈ যোৱাৰ সময়ত চাকৰ-বাকৰ আপোনালোকৰ চাহৰ পৰিবেশনত ব্যস্ত থাকিব লগীয়া হয়, অফিচৰ পৰা ঘূৰি আহি আপোনালোকক মাতিলে বিৰক্তিৰ ভাব দেখুৱাই লৰা-ছোৱালী কেইটা উলিয়াই ফুৰাবলৈ লৈ যাবলৈ কয়। আপোনালোকে শিপিনী দেখুৱায় মাছৰ বাকলি কেইটাত ৰং লগাই তাৰে গছ সাজি, আৰু বেজীৰ কামৰ নিদৰ্শন দেখুৱায় নিজৰ চোলা কেইটাত কূটমণি গাথি।" সভাত এটা চাঞ্চল্য উপস্থিত হয়। কেউ পিনৰ পৰা "অৰ্ডাৰ অৰ্ডাৰ" শুনা যায় কিন্তু কাৰো কথা কোনোৱে নুশুনে। বৰুৱাই অৱস্থা ভাল নেদেখি অলপ উচ্চৈস্বৰে কলে 'আপোনা-লোকৰ অপ্ৰিয় হলে মই বহিব পাৰোঁ।" এক শ্ৰেণীৰ শ্ৰোতাই কলে "তেনেই সঁচা, 'গো অন'।"

বৰুৱাই কলে—"কাকো আঘাত দিয়া মোৰ অভিপ্ৰায় নহয়; কিন্তু সত্যৰ খাতিৰত অপ্ৰিয় হলেও পিছ হুঁহুকিলে নহয়"। সম্পদিকা গৰাকীয়ে কলে—"গোলমালৰ শাম নাকাটে দেখিছো, সামৰণী গীত আৰম্ভ হোৱাত কিবা আপত্তি আছে নে?" বৰুৱাই খীণ হাঁহি এটি ওঁঠত মাৰ নিয়াই কলে, 'মোষ্ট পলিটিক্'। ফুটাই কলে—"সামৰণী গীত—মিচ ৰেণুকা দুৱাৰা"। মিটিং শেষ হলত বৰুৱাই লাহে লাহে ঘৰমুখে খোজ ললে, তেওঁক আদৰি নিয়া সম্পাদিকাৰ বন্ধুৰ গিৰীয়েকৰ গাড়ীয়ে ইবেলি বৰুৱাক ঘৰত নি থোৱাৰ কোনো আৱশ্যক বিবেচনা নকৰিলে। বৰুৱাই অৱশ্যে তাৰ বাবে কাকো বেয়া পোৱা নাছিল, আনকি সেই বিষয় ভাবিবলৈ আহৰিকে পোৱা নাছিল। নানা কথাৰ চিন্তাত অভ্যাসৰ বলত আপুনি গৈ ঘৰ সোমাই যেতিয়া দুৱাৰখন জপায়, তাৰ আকস্মিক শৰ্দ্দত হে এবাৰ মনত পৰিছিল যে বহুত শ্ৰোতাই কিজানি বেয়া পালে। তেতিয়াই ভাবিলে, অৱশ্যে সময় পোৱা হলে কলে হেঁতেন, যে এই মাতৃশক্তিৰ ওপৰতে দেশৰ ভবিষ্যত, আৰু তেওঁ নিজে মাতৃস্তনৰ ধাৰ আজনম শুজিব পৰা নাই, যদিও নানাভাৱে তাৰেই চেষ্টা কৰিছে। জননী, জন্মভূমি একেডালি অমৃতবৃক্ষৰ শাখা মাথোন, এটাক এৰি অন্যটোৰ কল্পনাও অসম্ভৱ। সাময়িক সোতত বৈদেশিক ভাবৰ প্ৰাধান্য হব পাৰে, কিন্তু মাতৃত্বৰ গৌৰৱ অটুট ৰখাৰ পথ ভাৰতভূমিত অপৰিচিত নহয়। নিজকে নিজে মনতে কলে—'কৰোঁ বুলি একো কৰা নাযায়, ঘটনা পাৰম্পৰ্য্যত

কিবা এটা হৈ উঠে—তাৰ বাবে প্ৰশংসনীয় বা নিন্দনীয় হওঁ আমি'।

বৰুৱাৰ চকুত চিলমিলাই টোপনি আহিছিল, এনেতে তেওঁৰ অনুমান হল যেন তেওঁ আকৌ মহিলা সন্মিলনীৰ সভাপতিৰ আসনত উপবিষ্ট হ'ল। তেওঁক বৰণ কৰিবলৈ এজনী গাভৰুৱে যি ফুলৰ মালা লৈ আহিছিল এইবাৰ যেন সেই মালা আগৰ দৰে সহজতে পিন্ধিব নোৱাৰিলে, তেওঁৰ চকু পৰিল সেই যুৱতীৰ অঙ্গসৌষ্ঠৱত, গালৰ হেঙ্গুলী ৰঙত, বুকৰ কাপোৰ উশাহৰ লগে লগে উঠা-নমা কৰাত। লাজত তেওঁৰ মুখ ৰঙা পৰি উঠিল আৰু তেওঁৰ চকুত কিবা বিষাক্ত ভাপৰ গন্ধ পাই ছোৱালীজনীও লাজতে মূছকঁছ ধোৱা যেন হ'ল। তেওঁ তেওঁৰ অযোগ্যতা বুজি পালে, আসন এৰি থিয় হ'ল। বৰণৰ মালা দিওঁতাৰ হাততে থাকিল, তেওঁ মানুহৰ ভিৰ ঠেলি বাহিৰ হ'ল। সভাত এটা কোঢ়াল লাগিল, জনতাৰ হাত সাৰি যিমান পাৰে বেগেৰে মটৰ চলাই যেন তেওঁ নিজৰ ঠাই ললে আৰু ঘৰ পায়ে বিছনাত দীঘল দিলে, তেওঁৰ যেন কতো ৰাখ-ৰক্ষা নাই, গোটেই জগতে যেন তেওঁৰ পাছ লৈছে,এনে অনুমান হ'ল। বাহিৰৰ দুৱাৰত যেন সকলোৱে খুন্দিয়াইছে "দুৱাৰ মেল, দুৱাৰ মেল" আৰু বৰুৱাই নিজৰ বিছনাৰ কাপোৰৰ মাজত নিজৰ অস্তিত্ব সামৰি ৰাখিবলৈ চেষ্টা কৰিছে। উধাতু খাই লৰি যোৱাৰ ফলত তেওঁ যেন উশাহক উশাহে ধুকি নোপোৱা হৈছে। বৰুৱাই সাৰ পালে, টোপনি ভাগিল—বুজিব পাৰিলে এইটো সপোন; কিন্তু তাৰ বাবে তেওঁ নিজক নিজে বহুবাৰ ধিক্কাৰ দিলে। ৰাতি যিমানে বেছি হবলৈ ধৰিলে তিমানে তেওঁৰ অনুশোচনা চৰিবলৈ ধৰিলে। তেওঁ ভাবিলে, 'মোৰ মনত পাপ নাথাকিলে এনে দৃশ্য এটা সমাজিকলৈ বা আহিব কেনেকৈ? অৱশ্যে এই অভিনয় প্ৰকাশ্যে হোৱা নাই, কিন্তু প্ৰকৃত ঘটনাবোৰ মানসিক ঘটনাৰ বহিৰ্প্ৰকাশ মাথোন; মোৰ মনত যদি হব পাৰে, বাহিৰত হবলৈ বেছি দূৰ নাই। মই মালা দিবলৈ অহা ছোৱালীজনীলৈ চোৱা সঁচা, তেওঁ লাজ কৰা সঁচা, মই ছোৱালীজনী ৰূপৱতী বুলি ধাৰণা কৰা প্ৰকৃত; আনে মই তেওঁলৈ চোৱা দেখাও অসম্ভৱ নহয়, তেওঁ মোক হীন প্ৰকৃতিৰ বুলি ভাবিলেও মই বাধা দিব নোৱাৰোঁ। কিন্তু ই যে তেনেই অন্যায় বুজা হব, মোৰ অন্ততঃ কোনো অভিপ্ৰায় নাছিল, কিন্তু সেইটো জানো তেওঁ বিশ্বাস কৰিব? বিশ্বাস নকৰিলেই বা উপায় কি? তেতিয়া মোৰ মান যশ? মোৰ মান-যশ যে প্ৰণয়তকৈ ওপৰত, জগতে জানো বিশ্বাস কৰিব? তেওঁলোকে যদি বীৰ শ্ৰেষ্ঠ এণ্টনিয়ে ক্লিওপেট্ৰাৰ পদত, পণ্ডিতশ্ৰেষ্ঠ আবেলাৰ্ডে হেলুইছাৰ পদত সৰ্ব্বস্ব বলি দিয়াৰ কথা উত্থাপন কৰে জগতে নিশ্চয় মোৰ পক্ষ সমৰ্থন নকৰে।' তেওঁৰ সংযত জীৱনৰ অসংযত ভাবাৱলী এই একেটা চিন্তাতে সজাগ হৈ উঠিল আৰু গোটেই জীৱনৰ অতীত-ভৱিষ্যৎ লৈ এটা ভূমিকম্পৰ সৃষ্টি কৰিলে। তেওঁ শোৱা পাটী এৰি উঠিল, ভাবিলে বিছনাৰ কানিকাপোৰ সলাব লাগে, দুৱাৰ খিৰিকীবোৰ মেলি দিলে, বেছি পোহৰ থকা বিজুলীবন্তি এটি জ্বলালে, চাকৰ এটাক মাতি বিছনাৰ কানিকাপোৰ, গাৰুৰ গিলিপ পৰ্য্যন্ত সলাই দিবলৈ আদেশ কৰিলে। সি যদিও আচৰিত হ'ল, হামিয়াই-হেঁকটিয়াই নিজৰ কাম কৰিবলৈ ধৰিলে। বৰুৱাই গা ধোৱা ঘৰলৈ গৈ হাতমুখ ধুই আগৰ কানিকাপোৰ সলাই অতি চাফচিকুণ হৈ শোৱনি ঘৰৰ ভিতৰ সোমাল, বহুদিন পাহৰি থকা পমেটমৰ বোটল উলিয়াই নাতিদীৰ্ঘ গোঁফত অলপ সুগন্ধ সানিলে, অনিচ্ছাতো, গাল দুখন অলপ পিহিলে এনেতে ডাঙ্গৰ দাপোণ এখনত তেওঁৰ ছবি প্ৰতিফলিত হল, বৰুৱাই নিজে চাই অলপ তৃপ্তি পালে—অনুমান হল তেওঁ এতিয়াও ডেকা, মনত পৰিল কোনোবা এজনী বন্ধুৱে কোৱা কথা যে তেওঁৰ চকুযোৰ ধুনীয়া। তেওঁ নিজে এবাৰ নিজৰ প্ৰতিবিম্বিত চকুযুৰিলৈ চালে, দেখিলে তাত সজীৱতা; আৰু যদি কিবা দেখিছিল চিনিব নোৱাৰিলে। মনতে অলপ হাঁহি বিছনাত বহিল, তাত পালে আতৰৰ সুঘ্ৰাণ। তেওঁ ভাবিলে, 'মই জানো হাচিয়াক কৈ গৈছিলো, কিজানি কব পাৰোঁ, নহলে তাৰ পূৰ্ব্বৰ অভ্যাস মনত কৰিও সি নিজে মোৰ বিছনাত আতৰ ছটিয়াই যাব পাৰে।' এই চিন্তাত সামান্য বিষাদৰ ভাব আহি ভুমুকি মাৰি আকৌ অন্তৰ্ধান হল।

তেওঁ ভাবপূর্ণ আবেশত কিছু সময় কটালে, পাছত লাহেকৈ হাতত মুখটো থৈ বিছনাত দীঘল দিলে, কেতিয়া টোপনি আহিল কবই নোৱাৰিলে। আৰু সপোন—একে সপোন, ইবেলি আগৰ দুবছ ওচি আৰু অন্তৰঙ্গী। সেই ছোৱালীজনী তেওঁৰ কাষ চাপি শিতানত বহি যেন তেওঁৰ মুখটো কোলাত লৈ চুলিৰ মাজেদি লনি আঙুলি কেইটা সুমাই দি পাতল চুলি কেইডাল লিবিকি-বিদাৰি তেওঁৰ টোপনি অহাত সহায় কৰিছে আৰু তেওঁ নিতান্ত নির্ভৰশীল হৈ কোমল কোলাত মুখটো থৈ স্পর্শসুখ অনুভৱ কৰিছে। তেওঁ যেন যথাতিৰ নিচিনাকৈ নিজৰ বার্দ্ধক্য সময়ক শোধাই দি পুৰা চল্লিশটি বছৰ জীৱনৰ যুবজীৰ পৰা এবি দি পূর্ণ যৌৱনৰ গৌৰৱ অনুভৱ কৰিছে। তেওঁ যেনিয়ে চায় দেখা পায়, হাজাৰে হাজাৰে ফুল ললিত ভঙ্গিত ৰবিচৰি সৃষ্টিৰ সৌন্দর্য্য বঢ়াইছে, পখিলাই ছাটি মাৰি আহে আৰু যায়, ভোমোৱাৰ গুণগুনি, কেৱল কঠোৰদৃশ্য মৌপিয়া চৰাইটোৱে মাজে মাজে একোটা চোঁ মাৰি, কোনোটো ভোমোৱাৰ অঙ্গক্ষত কৰে, কাৰো জীৱনলীলা অৱসান কৰে, এই দৃশ্যত যেন তেওঁৰ প্রেয়সীৰ বুকু ফাটি চকুলো বাগৰি পৰে। সেই তপত চকুলোটুপি বোধ কৰিবলৈ বক্তাই বিশ্বনিয়ন্তাক কি দিব নোৱাৰে! বক্তাই তেওঁৰ মুবত থকা কোমল হাতখনি নি দুহাতেৰে চেপি ধৰি ছোৱালীজনীৰ মুখলৈ চালে, কি কৰুণামণ্ডিত চাৱনি, অন্তৰত কি এনে প্রকাশ কৰিব নোৱাৰা গভীৰ কাতৰতা! তেওঁৰ ইচ্ছা তেওঁক কব– 'ভাঙ্গি কোৱা', কিন্তু মুখেবে কথা স্ফুটে। তেওঁ যিমানেই চেষ্টা কৰক কথা আৰু স্ফুটে, চেষ্টাত নিজৰ গোটেই মুখমণ্ডল বঙা পৰি উঠিছে, সেই দৃশ্য দেখি তেওঁৰ প্রেয়সীও উৎকণ্ঠিত হৈছে, কিন্তু বিধিৰ কি কঠোৰ বিধান! তেওঁৰ অনুমান হল তেওঁৰ বাক্‌শক্তি চিৰকাললৈ লোপ পালে, চেষ্টা কেৱল যন্ত্রণাদায়ক। যন্ত্রণাত চাটকুটি কৰিছে, তেওঁৰ মুবৰ উত্তাপ বাঢ়িছে আৰু শিতানত থকা যুৱতী অগ্নি-শিখাৰ দৰে জ্বলন্ত আকাৰ ধৰিছে; কিন্তু দৃষ্টি তথাপি সেই কাৰুণ্যমণ্ডিত!

কবিবাজে বক্তাৰ নাড়ী ধৰি কৈছে 'বায়ুৰ উদ্ধগতি'। ডাক্তবে দীপচকু চাফা কবি কবলৈ ধৰিছে—" 'হাই ব্লাড প্রেছাৰ', 'হার্ট' আগৰ পৰা 'উইক' চলিছে। 'অংমোই হোপলেছ' "। উকীল বিচক্ষণ বক্তাই আহি কৈছে, "ট'ক, জ্ঞান থকা বুলি কব পাৰি নে নোৱাৰি, অৱশ্য সেয়ে নহয়, হিতাহিত বিবেচনা থকা বুলিব পাৰি নে নোৱাৰি। এইটোৱে বব 'ফুচিয়েল পইণ্ট', মোৰ জেৰাত বিশেষকৈ" তেওঁৰ কথা শেষ নোহওঁতেই লালটুৰে কিবাকৈ বাপেকৰ হাতব পৰা মুক্ত হৈ আহি তাৰ সবল আঘাত বিষাদৰ ছাপ পৰাত চকুলো টুকি টুকি বক্তাৰ গাত ধৰি মাতিছে—"লহবে কেনেকৈ জগিয়াই দুবে চাওকহিচোন, ঘুগুবাডাল বব সুন্দৰ হৈছে।" বক্তাই অতিকষ্টে চকু মেলি স্থিবভাবে এবাৰ সবলোকে চাই ললে, সহজভাবেই কলে—"মোৰ বিনাশৰ কাৰ মই নিজে।" অলপ বৈ আৰু কলে—"ডুৱাৰত থকা ফটোটো মোৰ চিতাৰ জুইত যেন পুৰি পেলোৱা।" বিচক্ষণ বক্তাই কাষ চাপি শুদিলে –"উত্তৰাধিকাৰী কাৰ নির্ব্বাচন কৰিব?" বক্তাই ছুৰো লোকৰ ডুৱাৰদলিত থিয় হৈ কলে—"দেশবাসী মোৰ উত্তবাধিকাৰী। দহ হাজাৰ লালটুক আৰু দহ হাজাৰ" অতি সন্দিহানভাবে কলে "শ্রীমতী বেণুকা ডুৱাৰাক।" আৰু অলপ বৈ কলে, "এজিজিকিউটৰ আপুনি।" উইল সম্পাদন শেষ হলত বক্তাৰ হাত প্রায় অচল।

বক্তাৰ ডুৱাৰত থকা ফটো নিজৰ বিলাসী ডেকা অৱস্থাৰ ফটো, তাত থকা কানিকাপোৰৰ পৰা স্পষ্ট অনুমান হৈছিল, বক্তাই এসময়ত বিয়াৰ সকলো চিনা কবিছিল; কিন্তু বিয়া নহল, অনুমান অনুমানতে থাকিল। কুমাৰী ডুৱাৰাই এই দানব কথা শুনি অলপ লজ্জিত হৈছিল, কিন্তু বক্তাৰ পত্নিত্ব আস্থাই তেওঁক কেৱল মৰতৰ সামান্য সম্পত্তিৰ দ্বাৰা স্নেহৰ আশীৰ্ব্বাদ কবিছিল।

স্বর্গতত্ত্ব আৰু নৰকতত্ত্ব বা যাম্যলীলা*

—শ্রীযুত পদ্মেশ্বৰ গগৈ, বি-এ

এই ভাৰত আমাৰ মাতৃভূমি, পিতৃভূমি নহয়; পিতৃভূমি ভাৰতৰ উত্তৰে হিমাচলৰ (অর্থাৎ হিমালয় পর্ব্বতৰ) সিপাৰে সুদূৰ উত্তৰ পর্য্যন্ত বিস্তৃত। এই উত্তৰ প্রদেশত অর্থাৎ বর্ত্তমান তিব্বত, তাতাৰ, মঙ্গোলিয়া, চাইবেৰিয়া প্রভৃতি দেশত আমাৰ পূর্ব্বপিতামহ সকল বাস কবিছিল। কালক্রমত তাৰপৰা তেওঁলোকে ক্রমে ক্রমে ভাৰতত উপনিবেশ পাতিছিলহি। প্রাথমিক বৈদিক যুগত এইবিলাক ঠাই দেবলোক অর্থাৎ ব্রহ্মলোক, ইন্দ্রলোক, আদিত্য-লোক, চন্দ্রলোক ইত্যাদি বিবিধ নামত জনাজাত আছিল। এওঁৰে স্বর্গৰ প্রথম স্তৰ ভৌম বুলি অভিহিত, ই দক্ষিণে তিব্বতৰপৰা উত্তৰে উত্তৰকুকবর্ষ বা উত্তৰ চাইবেৰিয়া পর্য্যন্ত বিস্তৃত আছিল। তাৰ পাছতহে উত্তৰ সমুদ্র। তলৰ ভাষ্য আৰু শ্লোকে ওপৰৰ গোটেইখিনি কথাৰ আভাস দিছে।

(ক) "হিমবচ্ছিৰঃ প্রদেশ এব স্বর্গভূমিবিতি প্রসিদ্ধঃ।"

(অথর্ব্ববেদৰ সাৱণ-ভাষ্য)

(খ) "উত্তৰস্ত সমুদ্রস্ত সমুদ্রাস্তে চ দক্ষিণে।
কুৰব স্তত্র তদ্বর্ষং পুণ্যাং সিদ্ধনিষেবিতম্॥"

(বায়ু ৰাণ)

মহাভাৰতৰ মহাপ্রস্থানিক পর্ব্বত মহাৰাজ যুধিষ্ঠিৰৰ খোজ কাঢ়ি স্বর্গলৈ আৰু ব্রহ্মলোকলৈ যোৱাৰ কথা আৰু পথৰ বিবৰণ এইমতে লিখা আছে যে দ্রৌপদীৰে সৈতে যুধিষ্ঠিৰ আদি পঞ্চভ্রাতা মহাহিমগিৰি (অর্থাৎ হিমালয় পর্ব্বত) পাৰ হৈ মহাবালুকার্ণব (অর্থাৎ মধ্য-এচিয়াৰ গৰী নামে ভীষণ মৰুপ্রদেশ) পাৰ হল আৰু তাৰ পিছত মেৰুপর্ব্বতত উঠিবলৈ আৰম্ভ কবিলে। এই সময়ত মহাৰাজ যুধিষ্ঠিৰৰ বাহিবে সকলোবেই এজনৰ পিছত সিজনৰ দেহান্ত হয়। মহর্ষি বায়ু আৰু আচার্য্য ভাস্কৰে কৈছে, এই মেৰুপর্ব্বত ইলাবৃতবর্ষত † (বর্ত্তমান মঙ্গোলিয়াত)। যেনে—

(ক) "মেৰুমধ্যমিলাবৃতম্" (বায়ুপুৰাণ ৩১ অঃ)

(খ) "নিষধনীল সুগন্ধ সুমাল্যকৈ অলমিলাবৃতমা
কৃতমাবভৌ।
ইহ হি মেৰু গিৰিঃ কিল মধ্যগঃ॥"

(সিদ্ধান্ত শিৰোমণি ভুবনকোষ)

এই গতিকে ইয়াৰ প্রাচীন নাম "ইলাস্থানী", "ইলা-স্থানী"বপৰাই বর্ত্তমান "আণ্টাই" হৈছে। এতিয়া "মেৰু-মধ্যমিলাবৃতম"বপৰা বুজা গল যে মেৰু পর্ব্বতেই বর্ত্তমান যুগৰ "আণ্টাই" পর্ব্বত। এই মেৰুপর্ব্বত চাইবেৰিয়াৰ দক্ষিণে মঙ্গোলিয়াত অৱস্থিত। মহাৰাজ যুধিষ্ঠিৰে এই মেৰুপর্ব্বত বা বর্ত্তমান আণ্টাই পাৰ হৈ ব্রহ্মলোক পাইছিল গৈ। গতিকে, বর্ত্তমান উত্তৰ চাইবেৰিয়া সেই কালৰ ব্রহ্মলোক-স্বর্গ।

মহাৰাজ যুধিষ্ঠিৰে ব্রহ্মলোকত তাত থকা দেৱতা, ঋষি আৰু বিগতশোক সিদ্ধপুৰুষসকলে সৈতে দেখা-সাক্ষাৎ হৈ গঙ্গাস্নান কবাৰ কথা আমি পাওঁ।

"উদক্ সিদ্ধপুৰী নাম কুৰুবর্ষে প্রকীর্ত্তিতা।
তত্তাং সিদ্ধা মহাত্মানো নিবসন্তি গতব্যথাঃ॥"

(সিদ্ধান্ত শিৰোমণি ভূগোলাধ্যায়)

ওপৰৰ শ্লোকে উত্তৰ চাইবেৰিয়াত যে সেই সিদ্ধপুৰুষ সকল বাস কবিছিল তাক সমর্থন কবিছে। সেই উত্তৰ চাইবেৰিয়া বা ব্রহ্মলোকত দেৱতা, ঋষি আৰু সিদ্ধপুৰুষ সকলৰ লগত কিছুদিন বাস কবাৰ পিছত যুধিষ্ঠিবে তনুত্যাগ কবে। এতিয়া কথা হৈছে সেই ব্রহ্মলোক বা উত্তৰ

* জীবতত্ত্ববিবেক—স্বামী যোগানন্দ সৰস্বতী

† মহাৰাজ অগ্নীধ্রৰ এক পুত্তকৰ নাম "ইলাবৃত" আছিল। তেওঁৰ নাম অনুসাবেই বৈদিক "দৌ" ইলাবৃতবর্ষত পৰিণত হৈছে।

কুৰুবৰ্ষত গঙ্গা আছিল কেনেকৈ? ই নো কি গঙ্গা? গঙ্গা বিষ্ণুপদ * নামে ঠাইৰপৰা ওলাই পৃথিবীৰ চাৰিফালে চাৰি ধাৰা হৈ গৈছে। ভাৰতবৰ্ষইদি প্ৰবাহিত স্ৰোতৰ নাম অলকানন্দা। কেতুমালবৰ্ষ বা (জলবহুল হেতু) অপগস্থান (অপ্=জল) বা আফগনিস্থানেদি প্ৰবাহিত স্ৰোতৰ নাম চক্ষু, বৰ্ত্তমান অক্শস্ (Oxus); ভদ্ৰাশ্ববৰ্ষ বা চীনদেশেদি প্ৰবাহিত স্ৰোতৰ নাম সীতা, বৰ্ত্তমান ইয়াং-চিকিয়াং (Yang-tse-Kiang); আৰু উত্তৰকুৰু, উত্তৰ চাইবেৰিয়া বা ব্ৰহ্মলোকেদি প্ৰবাহিত স্ৰোতৰ নাম ভদ্ৰা, বৰ্ত্তমান নাম ইনিচি (Yenesei)। এই ভদ্ৰা নামৰ গঙ্গাতে মহাৰাজ যুধিষ্ঠিৰে স্নান কৰিছিল, আৰু "বিষ্ণুপদ" নামে ঠাইৰপৰা গঙ্গা ওলাইছে কাৰণে গঙ্গাৰ নাম 'বিষ্ণুপদী'; বিষ্ণু দেৱতাৰ নিসৃত ঘৰ্ম্মজাত বুলি বিষ্ণুপদ নহয় বা হবও নোৱাৰে। বেদত কৈছে সুৰজ্যেষ্ঠ ব্ৰহ্মাৰ সহোদৰ ভ্ৰাতা (খৰ্ব্বাকৃতি হেতু) বামন বিষ্ণু বা হৰি তেওঁৰ ভ্ৰাতৃষ্পুত্ৰ বিবস্বানৰ পুত্ৰ মনুক ভাৰতলৈ পঠাবৰ কাৰণে পিতৃভূমি মঙ্গোলিয়াৰপৰা আহিবৰ সময়ত গঙ্গাৰ উৎপত্তিস্থলৰ ওচৰত সৰ্ব্বপ্ৰথমে বিশ্ৰাম কৰিছিল, তেওঁৰ স্মৰণাৰ্থে সেই ঠাইৰ নাম তেতিয়াৰপৰা বিষ্ণুপদ হল।

ইয়াৰ বাহিৰেও মহাভাৰতৰ আদিপৰ্ব্বত লিখা আছে যে মহাৰাজ পাণ্ডু মাদ্ৰীৰে সৈতে হিন্দুকুশ পৰ্ব্বতত গ্ৰীষ্মকালত বাস কৰাৰ সময়ত তাৰ মাজেদি উত্তৰপোনে পৰ্য্যটন কৰি যোৱা ঋষিসকলক দেখি 'আপোনালোক কোনফালে যায়' বুলি সোধাত ঋষিসকলে 'সম্প্ৰতি ব্ৰহ্মলোকত দেৱতা, ঋষি আৰু পিতৃলোকবাসী মহাত্মাসকলৰ এখন সভা হব। আমি ব্ৰহ্মাক দেখা কৰিবৰ নিমিত্তে তালৈকে যাত্ৰা কৰি আহিছোঁ' বুলি উত্তৰ কৰে। যেনে—

"সমবায়ো মহাসদঃ ব্ৰহ্মলোকে ভবিষ্যতি।
দেবানাঞ্চ ঋষীণাঞ্চ পিতৃণাঞ্চ মহাত্মনাম্।
বয়ং তত্ৰ গমিষ্যামো দ্ৰষ্টুকামাঃ প্ৰজাপতিন্॥"

(মহাভাৰত, ১২০ অ)

এই ব্ৰহ্মলোক দেবপৰ্ব্বত মেৰুৰ উত্তৰে উত্তৰ কুৰু প্ৰদেশত বা সত্যলোকত (উত্তৰ চাইবেৰিয়াত) অৱস্থিত। ইয়াত ব্ৰহ্মাৰ সভা আছে।

"ঋতেঽমৰগিৰে মেৰৌৰুপৰি ব্ৰহ্মণঃ সভাম্।"

(বিষ্ণুপুৰাণ)

এই ব্ৰহ্মাও সুৰজ্যেষ্ঠ মনুষ্যদেৱতা, সৃষ্টিকৰ্ত্তা নহয়। বেদে কৈছে তেৱোঁ ব্ৰহ্মৰ দ্বাৰাই সৃষ্ট হৈছে।

"ব্ৰহ্ম ব্ৰহ্মাণং পুষ্কৰে সংসৃজে।" (গোপথ-ব্ৰাহ্মণ)

এই ব্ৰহ্মলোক সম্বন্ধে ৰামায়ণত লিখিছে যে সুগ্ৰীৱে সীতা অন্বেষণাৰ্থে উত্তৰ দিশলৈ শতবল প্ৰমুখ্যে বানৰ দূতবিলাক পঠাবৰ সময়ত উপদেশ দিছিল যে যি ঠাইত বৈখানসময় (আজিকালি বৈকাল হ্ৰদ) আছে সেই প্ৰদেশ অতিক্ৰম কৰি শৈলদা নদী প্ৰবাহিত প্ৰদেশ পাবাগৈ, এই নৈৰ সিপাৰেই উত্তৰ কুৰুপ্ৰদেশ আৰু তাৰ পিছতে উত্তৰ সমুদ্ৰ। এই উত্তৰ কুৰুপ্ৰদেশত ব্ৰহ্মৰ্ষি সকলৰ দ্বাৰা পৰিবেষ্টিত হৈ ব্ৰহ্মা বাস কৰি থাকে কাৰণে ইয়াৰ নাম ব্ৰহ্মলোক।

এই ব্ৰহ্মলোকত ছমাহ সূৰ্য্য উদয় নহয় আৰু ছমাহ অস্ত নাযায়। গতিকে, ব্ৰহ্মাৰ এদিন আৰু এৰাতিত ভাৰতবাসীৰ এবছৰ হয়। যেনে—

(ক) "একং বা এতদ্দেবানামহঃ যৎ সংবৎসৰঃ"।

(তৈত্তিৰীয় ব্ৰাহ্মণ)

(খ) "দৈবে ৰাত্ৰ্যহনী বৰ্ষং প্ৰবিভাগস্তয়ো পুনঃ।
অহস্তত্ৰোদগয়নং ৰাত্ৰিঃ স্যাৎ দক্ষিণায়নম্।"

(মনুস্মৃতি ১অঃ ৬৭ শ্লোক)

এই বিষয়ে ব্ৰহ্মলোকৰপৰা ঘুৰি অহা কোনো ভাৰতীয় ঋষিৰ মুখে ছান্দোগ্য শ্ৰুতিত স্পষ্টকৈ কোৱা আছে। ঋষিয়ে বেদৰ শপত কৰি কৈছে যে ব্ৰহ্মলোকত ছমাহ সূৰ্য্য উদয় নহয় আৰু ছমাহ সূৰ্য্য অস্ত নাযায়। যেনে—

"ন বৈ তত্ৰ নিম্নোচ নোদিষায় কদাচন।
দেবাস্তেনাহং সত্যেন মা বিৰাধিষি ব্ৰহ্মণেতি।

(ছান্দোগ্যোপনিষদ ৩।১১।২ মন্ত্ৰ)

এয়েই বৰ্ত্তমান "Aurara Borealis" ("অৰৰা বৰিয়েলিচ")। এই উত্তৰ কুৰুৰ উত্তৰতে উত্তৰ সমুদ্ৰ।

* বিষ্ণুপদী বিষ্ণুপদাৎ পতিতা মেৰৌ চতুৰ্দ্ধাস্যাৎ। বিস্কম্ভাচল মস্তকাস্তসৰঃ সংগতাগত বিয়তা। সীতাখ্যা ভদ্ৰাশ্বং সালকানন্দা চ ভাৰতবৰ্ষম্। চক্ষুশ্চ কেতুমালং ভদ্ৰাখ্যা চোত্তৰাণ্ কুৰূণ্ যাতা—
(সিদ্ধান্ত শিৰোমণি)

তাৰ পিছত কি আছে জনা নাযায়। গতিকে সুগ্ৰীৱে কৈছিল উত্তৰ কুৰুৰ পিছত উত্তৰ সমুদ্ৰ পায়; তাৰ পিছত কি পায় মই নাজানো। তুমি সীতা অন্বেষণ কৰি উত্তৰ কুৰু বা ব্ৰহ্মলোক পাৰ হৈ নাযাবাগৈ।

"তং তু দেশমতিক্ৰম্য শৈলোদা নাম নিমগ্না।
উত্তৰা কুৰৱ স্তত্ৰ কৃতপুণ্য প্ৰীতিশ্ৰয়াঃ॥
* * * *
সতু দেশ বিসূৰ্য্যোঽপি তস্য ভাসা প্ৰকাশতে।
* * * *
ব্ৰহ্মা বসতি দেবেশো ব্ৰহ্মৰ্ষি পৰিবাৰিতঃ
ন কথঞ্চন গন্তব্যং কুৰুণামুত্তৰেণ চ।
অভাস্কৰমৰ্য্যাদং ন জানীম স্ততঃ পৰম্॥"

(কিষ্কিন্ধ্যা কাণ্ড ৪৩ সৰ্গ)

মহাভাৰততো উত্তৰ কুৰুৰ বিষয়ে এইদৰে বৰ্ণনা আছে যে মৰু (আল্টাই) পৰ্ব্বতৰ উত্তৰ আৰু নীল পৰ্ব্বতৰ দক্ষিণত সিন্ধু বিলাকৰ নিসেবিত অতি পৱিত্ৰ উত্তৰ কুৰু প্ৰতিষ্ঠিত আছে। বায়ুপুৰাণতো "উত্তৰস্য সমুদ্ৰস্য" ইত্যাদিৰে এই মত সমৰ্থন কৰিছে। তাৰ পিছত মহাভাৰতত কৈছে যে চতুৰ্ম্মুখ অৰ্থাৎ চতুৰ্ব্বেদবিদ্ প্ৰভু ব্ৰহ্মাই তিলোত্তমাক বৰ দি ভূ, ভূব আৰু স্ব [অৰ্থাৎ (১) 'ভূ' মানে ভূলোক বা ভাৰতবৰ্ষ, (২) 'ভূব' মানে ভূবলোক বা অন্তৰীক্ষলোক বা আফগনিস্থান, পাৰস্য আৰু তুৰস্ক আৰু (৩) 'স্ব' মানে স্বলোক বা তিব্বত (কিম্পুৰুষবৰ্ষ), চীন তাতাৰ (হৰিবৰ্ষ) আৰু মঙ্গোলিয়া (ইলাবৃতবৰ্ষ)] এই ত্ৰিলোকৰ শাসনভাৰ কনিষ্ঠ ভ্ৰাতা ইন্দুৰ হাতত সমৰ্পণ কৰি নিজে উত্তৰ কুৰু বা উত্তৰ চাইবেৰিয়াত নতুন ৰাজ্য স্থাপন কৰিলেগৈ। এয়েই তৃতীয় ব্ৰহ্মলোক।

ব্ৰহ্মাৰ এটা নাম "পৰমেষ্ঠী"। পৰমে তিষ্ঠতি ইতি পৰমেষ্ঠী অৰ্থাৎ যি পৰম বা উৎকৃষ্ট ব্যোমত অৰ্থাৎ আকাশত বা স্বৰ্গত বাস কৰে। জল-বায়ুৰ বিশুদ্ধতাৰ কাৰণে সেই সময়ত এই উত্তৰ কুৰু বোলা ভূমিভাগ সকলোতকৈ উৎকৃষ্ট আছিল, গতিকে বেদতো এই ব্ৰহ্মলোকৰ নাম "উত্তমনাক" বুলি আছে। যেনে—"উত্তমনাকং পৰমং ব্যোম"—(অথৰ্ব্ব বেদ।) এই তৃতীয় ব্ৰহ্মলোক উত্তম দেখি সেই সময়ত অনেকে ব্ৰহ্মাৰ প্ৰজাৰূপে ব্ৰহ্মলোকত বাস কৰিবৰ নিমিত্তে অতিশয় আগ্ৰহ দেখুৱাইছিল। প্ৰজাবিলাকে এইদৰে আগ্ৰহ প্ৰকাশ কৰিছিল "প্ৰজাপতেঃ প্ৰজা অভূম"—(যজুৰ্ব্বেদ), অৰ্থাৎ বলা আমি সকলোৱে প্ৰজাপতি ব্ৰহ্মাৰ ব্ৰহ্মলোকলৈ গৈ তেওঁৰ প্ৰজা হৈ বাস কৰোঁগৈ। কাৰণ, সেই ব্ৰহ্মলোক-স্বৰ্গ ইন্দ্ৰাদিৰ সকলো স্বৰ্গৰাজ্যতকৈ বিদ্যাদি আৰু স্বাস্থ্যাদি গুণত শ্ৰেষ্ঠ।

পুৰাণাদি পাঠৰপৰা জনা যায় যে তুষাৰপাতজনিত অৰ্থাৎ অতিশয় হিম পৰাৰ কাৰণে হিমপ্ৰলয় উপস্থিত হলে ব্ৰহ্মলোকবাসীবিলাকে অনেক সময়ত প্ৰাণ যোৱাৰ ভয়ত ব্ৰহ্মলোক পৰিত্যাগ কৰি ওচৰত দক্ষিণত থকা চন্দ্ৰ সূৰ্য্য আদিৰ ৰাজ্যত আশ্ৰয় বিচাৰিব লগীয়া হয়। মহাভাৰতেই ইয়াৰ দেদীপ্যমান প্ৰমাণ। তাত কৈছে,

"ব্ৰহ্মলোক চ্যুতাঃ সৰ্ব্বে সৰ্ব্বে সৰ্ব্বেষু সাধবঃ॥
ৰক্ষণাৰ্থং তু ভূতানাং প্ৰবিশন্তি দিবাকৰম্॥
আদিত্যতাপ স্তাস্তে বিশন্তি শশিমণ্ডলম্।

(ভীষ্ম পৰ্ব্ব ৩২ অ)

ধ্ৰুৱৰ এই তৃতীয় ব্ৰহ্মলোকলৈ যোৱাৰ কথা বিষ্ণুপুৰাণত এইদৰে লিখা আছে—

"যাবন্মাত্ৰে প্ৰদেশেতু মৈত্ৰেয়াবস্থিতো ধ্ৰুবঃ।
ক্ষয়মায়াতি তাবৎ তু ভূমেৰাভূত সংপ্লবে"॥

(বিষ্ণুপুৰাণ)

অৰ্থাৎ "হে মৈত্ৰেয়, উত্তানপাদৰ পুত্ৰ ধ্ৰুৱ তপস্যাৰ নিমিত্তে ব্ৰহ্মলোকত গৈ আছিল। সেই সময়ত ভূতসংপ্লৱ অৰ্থাৎ প্ৰলয় বিশেষ (অৰ্থাৎ তুষাৰপাতজনিত বা হিমৰপৰা উদ্ভৱ হোৱা হিমপ্ৰলয়) উপস্থিত হোৱাত ধ্ৰুৱৰ ক্ষয় প্ৰাপ্তি হৈছিল।"

লটাৰী

গল্প—

—শ্ৰীযুত চন্দ্ৰকান্ত বৰকাকতী

কিহে ভাই! কিবা কথা এটা শুনিছা নে?

ওঁহো, একো শুনা নাই।

কিয়? গ্ৰেণ্ড বাফেলৰ লটাৰীত যে বসন্তই কুবি হেজাৰ টকা পাইছে তুমি জানো কৰ নোৱাৰা?

সঁচাই নেকিহে ভাই?

সঁচা বুলিয়েই তো শুনিছোঁ।

পোৱাটো যদি সঁচা হয়, তাবো ভাগ্য কম নহয় দিয়া। এতিয়া আক বসন্তক কোনে পায়? এনেয়ে সি পৃথিবীত পাৱ থৰ নোগোৱেজ, তাতে আকৌ এই কুবি হেজাৰ! মোৰ হলে বৰ বিশ্বাস হোৱা নাই হে; কথা কিবা যেন হে পাওঁ।

বিশ্বাস নকৰা যদি বসন্তৰ তালৈ যাওঁ ব'লা। তাৰ মুখে শুনিলে তো কৰিবা?

নকৰোঁ, মেতিয়ালৈকে গ্ৰেণ্ড বাফেলৰ কোনো কাকত-পত্ৰ চকুলে দেখা নাপাওঁ।

বসন্তলৈ এখন টেলিগ্ৰাম অহা বুলি শুনিছোঁ, কোম্পানীয়ে হেনো টিকটৰ নম্বৰটো খুজি পঠাইছে।

বাৰু ব'লাচোন যাওঁ।

এই বুলি হবেনক লগত লৈ বসন্তৰ ঘৰলৈ খোজ ললোঁ। গৈ দেখোঁ দেখোন বসন্তৰ ঘৰত অজি মানুহ হোৱা-হোৱা, লেঠেৰিয়েই ছিগা নাই। আমাক দেখা পাইেই বসন্তই মিচিকিয়া হাঁহি এটা মাৰি মাত দিলে, কিহে ভাই! আজি দেখোন চহীয়াৰ ঘৰত ভুজোজন একা!

মই কলোঁ, এবা ভাই! তোমাৰ মঙ্গল বাতৰি পাই আনন্দৰ ভাগ লবলৈ আহিছো। পিছে কথাটো জানো সঁচা? আমাক নেভাবিবা দেই। তুমি পালে জানো আমি বেৰা পাওঁ?

বসন্তই গহীন অথচ উদ্বিগ্নতাৰ ভাব লৈ উত্তৰ দিলে, পাব লাগে দেখোন, বাটত যদি কোনো অপায়-অমঙ্গল নঘটে।

মই সুধিলো—কিবা কাকত পাইছা জানো?

বসন্তই কলে, টেলিগ্ৰাম এখন হঁলে আহিছে; মই পাইছোঁ বুলি লেখিছে। মোৰ টিকটৰ নম্বৰটোও খুজি পঠাইছে।

মই কলোঁ, চাওঁ টেলিগ্ৰামখন দেখুৱাচোন ভাই।

'বাৰু ৰ'বা' বুলি কৈ বসন্ত ভিতৰলৈ সোমাই গল। টেলিগ্ৰামৰ ফৰম এখন আমাক দেখুৱালে। পঢ়ি চালোঁ, কথাটো সঁচাই। যি হ'ক আমি দুয়ো বসন্তৰ পিঠিত চপবিয়াবলৈ ধবিলো। চাবাচ—চাবাচ বন্ধু! ভাল দাও মাবিলা। পিছে এতিয়া ইমানবোৰ টকাবে নো কি কবিবা? আনাৰ কংগ্ৰেছ ফণ্ডত হলে দুহেজাৰ দিব লাগিব দেই, এতিয়াই কৈ গলো একা।

বসন্তই কলে, কংগ্ৰেছত যি দিওঁ দিম, কিন্তু চহীয়া মানুহক হলে তাবে ৩৫ হেজাৰমান ধাবলৈ দি কেঞা গোলাব বন্ধকৰ পৰা পাবিলে মোকোলাই দিবৰ মন।

মই কলো, তেও দেখোন বহুত বাকী থাকিবহে। ই সোপাবে নো কি কবিবা? বসন্তই কলে, দলিয়াই পেলাম নে? তাবে নগৰত এখন ঘৰ কৰিম, আক নিজে উঠি ফুবিবলৈ মটৰ এডোখৰো লম। তাৰ বাহিবে বি থাকে লবাটোক এম-এ, বি-এললৈকে পঢ়াম। বাকী-খিনি বুঢ়া কালত ভাডি-ছিডি খাম।

মই কলো, তোমাৰ আশা ইমানখিনিহে। মই পোৱা হলে কি কবিলোহেতেন বুজিছা? মই একে কোবেই বিলাত বুলিহে টিকট কাটিলোঁ হেঁতেন!

এঃ! তোমালোকৰ কথাবে ঠিক নাই দিয়া দেও! ইপিনে আকৌ ইংবাজক খেদি স্বৰাজ লবলৈকো বিচবা,

সিপিনে আকৌ সিহঁতৰ বিলাতলৈ যাবলৈও আশা এবিব নোৱাবা। আমাৰ হলে সেইবোৰ নহয় দেও! বোলে—বামকো নোবোলো হবি, বি পুখুবীত পানী নেখাওঁ পাবতো নিদিওঁ ভবি।

ববাচোন, তুমি দেখোন কথাটো একেবাবে উৰাই দিব খোজা। আমি জানো বিলাত চাবলৈ বা তাৰ নাচ-গান শুনিবলৈ যাম বুলিছোঁ। আমি যাম বুলিছোঁ, সিহঁতে নো কি বুদিবে আমাৰ দেশখন থাইছে, তাবে আও-ভাওবোৰ বুজি আহিবলৈহে। সিহঁতৰ বুদিটো ধবা পেলাব পাবিলে আমাক আক ঠগ খুৱাব নোৱাবিব, বুজিচা বসন্ত!

থোৱা, থোৱা দেও তোমাৰ কথাখন! বিলাতলৈ গলেহে হবগা বুদিটো শিকিব পাবিবা, ইয়াত হবলা নোৱাবা? ইয়াতেই দেখোন শই শই নেতা ওলাইছে। তেওঁলোকৰ নো কিমানে বিলাতলৈ গৈছে?

এ, তেনেহলে তুমি একো নেজানাই হবলা। এই যে নেতাবোৰ ওলাইছে, সেইবোৰ সোপাই বিলাত-ফিবৰ। আমাৰ দেশত আজি ওলোৱা নেতাবোৰতকৈ তেওঁলোকৰ কোবেহে বেছি। কাৰণ তেওঁলোকে বিলাতৰ আওভাও সোপাকে পাই এইবোৰ চুডা চাই সোপা দি আন্দোলন কবিছে। বাৰু সেইবোৰ কথা ৰ'ক এতিয়া। পিছে বসন্ত! টকানো কিমান দিনত হাতত পবিবহি?

ডাকবাবুৰে কৈছে বোলে এমাহৰ ভিতৰতে টকাটো হাতত পবিবহি লাগে।

টকা পিছে তুমি নিজে আনিবগৈ লাগিব নে সিহঁতে দি যাবহি?

জানো এচোন, সিহঁতেই দি যায়হি নে মঞ্চেই আনিবলৈ যাব লাগে, সঠিক কব নোৱাবো। লোকে হলে কৈছে, জিলাৰ মাৎথানাৰ পবাই দিব বুলি।

বেছ, বেছ বন্ধু! টকা পাই আমাৰে নেপাহবিবা দেই। মটৰ আনিলে আমাকো উঠিবলৈ দিবা জানো?

যদি হে আনিব পাবো, উঠিবাহঁক। মই নো আক তোমালোকৰ হাতত ধবিম নে?

বাৰু তেনেহলে বৰ সন্তোষ পালো দিয়া। এতিয়া বিদায়হে বসন্ত! থাকিবা আক।

বাৰু মোৱা ভাই!

আমি দুয়ো বসন্তৰ ঘৰৰ পবা বিদায় ললোঁ। হবেনে কলে, বসন্তৰ কপালখন দেখিছা ভাই! মই কলো, এবা ভাই ভাগ্য, ভাগ্য।

(২)

বসন্ত এজন গাৱঁৰ মধ্যবিত্ত শ্ৰেণীৰ মানুহ। গুবি গছ বৰ বেয়া নহয়। সৰুতে মাক-বাপেক ঢুকাল। ভাই ককাই চাবিজন, তেওঁ হৈছে তৃতীয়। আৰ্থিক দুৰৱস্থাৰ কাৰণে বিশ্ববিদ্যালয়ৰ ডিগ্ৰীলাভ তেওঁৰ ভাগ্যত ঘটা নাছিল। বিদ্যাৰ মন্দলাভ কোনোকমে চহীটো কবিব পবা সমানলৈকেহে উঠিব পাবিছিল। সেই বুলি তেওঁৰ সাজপাৰ দেখি, এজন বি-এ বা বি-এল মেনেহে অনুমান হয়। মোটৰ ওপৰত কবলৈ গলে, তেওঁৰ বক্তিতা দেখি, গাৱঁৰ মানুহে এজন সকসুবা উকিল বুলিয়েই ধবি লৈছিল। ভাই-ককাইবে সৈতে মনো-মালিন্য হোৱাত, পৈতৃক মাটি-ভেটি এবি গাৱঁৰ এমুবে অকলশৰীয়াকৈ ঘৰ সাজিছিল। বেলেগ হৈ অহাৰ সময়ত ঘৰৰ পবা ভাইৰ ভাগ বুলি কুটা এগছো অনা নাছিল। তেওঁ নিজ বুদ্ধিৰ বলেবে অতি অলপ দিনৰ ভিতৰতে বহুতো মাটিবাৰী কবিলে। গাৱঁৰ মুবৰ চাবি আলিৰ চুকত তেওঁৰ বাৰীখন—৭৮ পুৰামানৰ কম নহব। তেওঁলোকৰ গাওঁখনৰ নাম সোণাপুৰ। আগেয়ে সোণাপুৰ অটৱা অবণ্য আছিল। অতি অলপ দিনৰ পাছত বহুত ময়মনসিঙীয়া আহি সচাকৈ সোণাপুৰক সোণাপুৰ কবি তুলিলে। লগে লগে বহুতো বঙালী বেপাৰীবো আগমন হল। বাজআলবি কাষত যাব ম'ত মাটি আছিল, বেপাৰী দোকানী বহুবাই সকলোবে অৱস্থা টনকিয়াল কবি পেলালে। বসন্তয়ো বাজআলিৰ কাষৰ ফালে বাৰীখনৰ এমুবে তাৰ ঘৰ কেইটা সাজি লৈ বাকীডোখৰ মাটিত দোকানী বেপাৰী বহুবাই মাহে তিনিকুবিমান কণ পোৱা হল। লগে লগে খেতিবাতিত

ভালকৈ মন দিলে, মহথুটি এটিও কৰিলে। কিছুমান দিনৰ মৃৱত বসন্তৰ ঘৰ কেইটাও বগা হৈ উঠিল। বিয়া-বাৰুণ কৰালে। লগে লগে বসন্তৰ ঘৰ ওৱনি কৰি এটি পুত্ৰসন্তান জন্ম পালে। এতিয়া সমাজত বসন্ত এজন লেখৰ মানুহ। সেই সময়ত সোণাপুৰত কোনো ডাক বঙলা নাছিল। গতিকে সোণাপুৰলৈ কোনো নগৰীয়া ভদ্ৰলোক আহিলে বসন্তৰ ঘৰতে আলহী হব লগীয়া হয়। তেওঁৰ ঘৰত দিনে দিনে নগৰীয়া আলহী হুওচাই হল। নগৰীয়া বাবুসকলৰ পৰশত বসন্তবো নগৰীয়া মেজাজ ফুটি উঠিল। এতিয়া বসন্ত এজন পক্কা বাবু। হাতত ঘৰী, ভৰিত জোতা, মুখত নেভিকেট চেলেণ্ড; চলন ফুৰণতো বুলিবা নতুনকৈ পাঁছ কৰি অহা উকিলটোহে। বিস্তাৰ জোখকাঠীৰ বাহিৰে তেওঁৰ আৰবকায়দা দেখি কোনেও তেওঁক এজন সম্ভ্ৰান্ত ভদ্ৰলোক হুবুলি নোৱাৱে।

গ্ৰেণ্ড বাফেলৰ এজেণ্ট এজন আহি তেওঁক এখন লটাৰীৰ টিকট লবলৈ অনুৰোধ কৰিছিল, আৰু অনুৰোধ বক্ষা কৰি এটা টকা দি এখন লৈছিলো। যাৱৎ সময়ত এজেণ্টজনে কৈ গৈছিল, আপুনি অহা মাহত ডাকঘৰত খবৰ কৰি থাকিব। ভাগ্য ভাল হলে পাবও পাবে।

সেইমতে এমাহৰ মৃৱত বসন্তই এখন টেলিগ্ৰাম পালে, যিখন আমি বসন্তৰ ঘৰত পঢ়ি চাইছিলো। পবগণীয়া গণক এজন বসন্তৰ ঘৰত আলহী হৈ আছিল। তেওঁ কথাটো জানিব পাৰি মন তাপৰিব নোৱাৰি বসন্তই টকা পোৱা বুলি গোটেইখনতে জনাজাত কৰি দিলে।

(৩)

টেলিগ্ৰাম পাই বসন্তৰ মন ধোকিবাথো লাগি পৰিল। টকা আনিবলৈ আজি খবৰ আহিব, কালিলৈ খবৰ আহিব বুলি বাট চাবলৈ ধৰিলে। বসন্তৰ টকা পোৱা কথা গোটেইখনতে ৰাষ্ট্ৰ হৈ পৰিল। আনকি নগৰতো মুখে মুখে হল। টকা পোৱা সংবাদ পাই মানুহ তেওঁৰ ঘৰৰ পৰা মুহাতে পৰিল। ধন ধাৰে ধৰিবলৈ অহা মানুহৰ সংখ্যা আটাইতকৈ বেছি। সকলোকেই আশ্বাস দিলে আহি পালেহ দিম বুলি। বসন্তৰ খাতিৰ দিনক দিনে বেছি হৈ আহিবলৈ ধৰিলে। এইবোৰ দেখি শুনি বসন্তই গঞ্জাটোপ যেন হৈ ওফন্দি ফুবিছিল। মনে মনে ভাবিছিল, এতিয়া বাক কোনটোৱে নো মোৰে মৈত্ৰে সমানে ফেৰ মাৰে দেখিম। আৰু-বেলি মোক বেৰুৱা ভোটত হকৰাই প্ৰেমানন্দই বুক ফিন্দাই ফুবিছে। এইবাৰ দেখিম কেই হেজাৰ নো সি ভাঙিব পাৰে! আৰু কোনে নো মোক ভোট নিদিয়ে তাকো দেখিম। এনেভাৱে বসন্তই উটনজা বহিনজা হৈ টকা অহাৰ ববৰলৈ বাট চাবলৈ ধৰিলে। ইতিমধ্যে তেওঁ নগৰৰ বন্ধু এজনক পবা এখন চিঠি পালে। তাত লিখিছিল, পত্ৰ পোৱা মাত্ৰে আহি যাবা। বন্ধুজনে কাছাবীত কেমাণীগিৰি কবে। বসন্তই ভাবিলে, টকা মালখানাৰ পবাহে দিব বুলি মানুহে কৈছিল, বোধকবো তাকে আনিবলৈহে মোক ওপুতে মাটি পঠাইছে। আচল কথা চিঠিত লিখা নাই। জিলাৰীলে যে তেওঁ টকা আনিবলৈ যাব শুই কথাটো গোটেইখনতে বু-বু বা-বা লাগিল। কোনোৱে কোনোৱে তেওঁক সুধিছিল নগৰলৈ যোৱাৰ উদ্দেশ্য কি? বসন্তই কিন্তু কথাটো গোপন কৰি আচল কথা কাকো জানিবলৈ দিয়া নাছিল। সেই বুলি তেওঁ যে টকা আনিবলৈ গৈছে, এই কথাটো কাৰো বুজিবলৈ বাকী নেথাকিল। সেই দিনাই নিশাৰ গাৰীত বসন্তৰ জিলাৰ পৰা ঘুবি অহাৰ কথা।

পিছ দিনা পুৱা খবৰ ওলাল যোৱা ৰাতি বসন্তই মালখানাৰ পবা টকা আনিলেগৈ। সেই টকা বেল ষ্টেশ্বনৰ পবা আনোতে গাড়ীত ভৰাইহে আনিছিল হেনো, আৰু ষ্টেশ্বনৰ পবা ১০।১২ জন মানুহে হাতত দা-ষাঠি-জোং লৈ আগ বঢ়াই অনা আলিব কাৰণ দুজন এজন মানুহে দেখাও পাইছিল হেনো।

যোৱা নিশাৰ কথা শুনি বসন্তই টকা পোৱা কথা গোটেইখনৰ মনতে গজগঞ্জীয়া হল। আনকি তেওঁৰ বন্ধুবান্ধৱ বিলাকবো বিশ্বাস বন্ধমূল হল।

টকা ধাৰে বিচবা মানুহে বসন্তক ইমান অস্থিৰ কবি তুলিছিল যে বসন্তৰ প্ৰতিমুহূৰ্তে জীৱনৰ শঙ্কা হৈ

পৰিছিল। আনকি তেওঁৰ নিশাও টোপনি নহাত পবিল।

* * * *

দেশত কেউফালে মাবিমবক দুর্ভিক্ষই দেখা দিছে। চোৰ-ডকাইতৰ উপদ্রৱত গাওঁ-ভূঁই বিলাকত মানুহৰ চকুত টোপনি নাই। ময়মনসিঙ্গীয়াইতৰ এনেহে অৱস্থা হৈছে যে সিহতে যাৰ যত ভড়ালত ধান আছে নিমতে ঘৰ বেঢ়ি ধৰিছিলগৈ, অগত্যা গিৰিষ্টে ভড়ালৰ দুৱাৰ খুলি দি নিজৰ প্ৰাণ বক্ষা কৰিবলৈ বাধ্য হৈছিল।

এদিনাখন প্ৰায় ২০০ মান ময়মনসিঙ্গীয়াই দিনতে বসন্তৰ ঘৰত হাজিৰ হলগৈ, আপুনি কুবি হেজাৰকৈ টকা পোৱা কথা শুনিছোঁ। তাবে আমাক পাঁচ হেজাৰ মান ধাৰলৈ দি আমাৰ লবাছোৱালীৰ প্ৰাণ বক্ষা কৰক. আপুনি যেনেকৈ সুত লব খোজে, আমি দিবলৈ সাজু আছোঁ। বসন্তই কিন্তু ছুইনামেই নগল; মাথোন হৈয়াকে কলে, মোৰ টকা আহি পোৱা নাই। আহিলে হাক এটা কৰিম। ময়মনসিঙ্গীয়াইতে গাড়ীবে টকা অনা কথাটো শুনিছিল; সেই দেখি বসন্তৰ কথা বিশ্বাস নকৰিলে। সকলোবিলাক বিষণ্ণ মনেৰে অধঃ দৃঢ়প্ৰতিজ্ঞ ভাব লৈ ঘৰলৈ উভতিল। বসন্তই ভাবিলে, ভাল মোৰ বিপদ হল, টকা নহয় যেনিবা কালহে হল!

(৪)

কেদিনমানৰ পিছত মই শোৱাপাটাতে আছো, এনেতে বাহিৰৰ পবা হবেনে মাত দিলে, কৰুণা সাৰ পাইছা নে?

মই গিৰিসে-কবে উঠি বহিলো, ভাবিলো, হবেনৰ আজি ইমান বাতিপুৱাই কি হল। মই মাত দিলো, বৰা, সাৰ পাইছো, গৈছো ওলাই।

মই বিছনাৰ পবা নামি ছত্ৰাৰথন মেলি চকু দুটা মোহাৰি বাহিৰলৈ ওলাই আহিলো। হবেনে মোক দেখা পাইহে কলে, আজি সৰ্ব্বনাশ হল নহয়, বসন্তৰ ঘৰখন যোৱা দিশা ডকাইতি কৰিলে, মানুহকো জখম কৰিলে, বাচেই নে মৰেই ঠিক নাই বুলি শুনিছো!

মই উচপ খাই উঠিলোঁ। ক'ত শুনিলা? সচা নে মিছা?

সচাই আকৌ, মানুহে হাল লৈ পথাৰলৈ যাওঁকহে নালগে হাল-চাল পেলাই থৈ বসন্তৰ ঘৰৰ ফালেহে লব ধৰিছে।

কথাটো শুনামাত্ৰে মোৰ হাত ভৰি কঁপিবলৈ ধৰিলে। হবেনক কলো, বলাচোন যাওঁ। এই বুলি মই আৰু মুখ ধুবলৈকো নহল; আনকি গাত চোলাটো সুমাবলৈকো পাহৰিলো। বসন্তৰ ঘৰ আমাৰ ঘৰৰ এমাইলৰ ভিতৰতে। আমি দুয়ো বসন্তৰ ঘৰৰ ফালে ভিৰাই ধৰি লব দিলো।

(৫)

বসন্তৰ দুৱাৰমুখত আজি হেঁচ খোৱা মানুহ, বিৰ দি সন্ধি পাবলৈ নাই; কেউফালে কন্দা-কটা, হাই-উকমি, কোনোবকমে ঠেলি-হেঁচি আমি দুয়ো ভিতৰ সোমালোঁ। দেখিলোঁ, ঘৰৰ ভিতৰ গোটেইখন তেজেৰে বাঙলী। বসন্তৰ গাত ৫৬ টামান দাৰ ঘাপ পৰিছিল। বসন্ত মানুহটো শকত আৰত বুলিহে স্বিৰেৰে আছে। বসন্তক এখন খাটত শুৱাই থৈ কেজনমানে বিচি আছে। বসন্তৰ জখম যদিও বৰ বেছি তথাপি কথা পাতোতে মানুহৰ লগত ভালকৈয়ে পাতিছিল। মাজে মাজে মাথোন একোটা আই ঔ! মবিলো ঔ! বুলি চিঞৰ মাবিছিল। আমি ওচৰ চাপি গলো, আমাক দেখা পাই বসন্তৰ দুচকুৰেদি দুধাৰ চকুলো বৈ গল।

মোৰ হাতখনত ধৰি টান মাবি তেওঁৰ বিছনাতে মোক বহুৱাই হলে। লাহে লাহে বসন্তই কবলৈ ধৰিলে, কৰুণা! ঈশ্বৰে আমাৰ এই দুর্গতি কৰিলে।

মই কলো, কি কবিবা ভাই! সকলো কপালৰ লিখন। আকৌ লসন্তই কবলৈ ধৰিলে, ডাকবাবুৰেহে মোৰ এই ডোখৰ মঙহ খালে।

কেনেকৈ! কেনেকৈ!!

তেওঁ মিছাযে টকা পোৱা শবদটো তুলি দি, মোৰ নিজৰ তো যি কৰিলে কৰিলেই, লবাছোৱালীবো

লৈ-লৈ থৈ-থৈ বিলাই নোহোৱা কৰিলে! বসন্তৰ মুখত এনে কথা শুনি মই বিচুৰ্তি খালো। হবলেনেও লগে লগে 'কি কোৱা! কি কোৱা!' কৰিবলৈ ধৰিলে।

মই সুধিলো, তেনেহলে টকা পোৱা কথাটো মিছা নে কি?

মিছা ভাই! মিছা।

সেই দিনা যে আমাক দেখুৱাইছিলা, সেই টেলিগ্রাম খন মিছা নে কি?

শুনিবা? শুনিবা? তেন্তে কওঁ শুনা। লটাৰীৰ টকা পোৱা বাতৰি পাম বুলি মই সদায় ডাকঘৰত থবৰ কৰিবলৈ যাওঁ। তাক ঘৰলৈ মোৰ অহা-যোৱা কথাটো ডাকবাবুৰ পক্ষে এটা কৌতুহলৰ কথা হৈ পৰিছিল। ডাকঘৰত বহি থকা দুই এজন মানুহে মোক দেখা পালেহ কয়, বসন্ত বাবুৰে লটাৰীত টকা পাবলিয়ক। মুঠতে আমাক মিঠাই খুৱাই দিওঁ বুলি কওক। মই কওঁ, মিঠাইহে নেলাগে, টকা পালে মই খাহী মাৰি ভোজকে খুৱাম। সকলোৱে কয়, পাব। এজন পৰগণীয়া গণক সেই সময়ত ডাকবাবুৰ ঘৰত আলহী হৈ আছিল। তেওঁ বং চাবৰ মনেৰে গণকজনক মোৰ ঘৰলৈ পঠাই দিলে। গণকে গণনা কৰি চাই টকা পোৱা সংবাদ আজিকালিতে পাব লাগে বুলি কলে। উস্! উস্! তাৰ পিছত গণকজনে অলপ বাধক আছে বুলি গ্রহপূজা কৰি নাই নাই বুলিও ১০৲।১৫৲ টকামান সৰকালে। গণকৰ গণনাৰ ওপৰত মোৰ বিশ্বাস হল। মই তাৰ পিছ দিনা আবেলি থবৰ লবলৈ বুলি ডাকঘৰলৈ গলোঁ। ডাকবাবুৱে মোক দেখা পোৱা মাত্রে মিচিকিয়া হাঁহি মাৰি বাচকৰ ভিতৰৰ পৰা এটা হালধীয়া লেফেফা উলিয়াই দিলে। মই কলো, আপুনিয়েই খুলি পঢ়ি দিয়ক। ডাকবাবুৱে লেফেফাটো খুলি হাঁহি হাঁহি, সেই তোমালোকক দেখুওৱা টেলিগ্রাম খন পঢ়ি দিলে। মই আনন্দত অধীৰ হৈ পৰিলোঁ। মোৰ বুকুখন ধপ্-ধপাবলৈ ধৰিলে। মনতে ভাবিলো কুবি হেজাৰ, বাপবে বাপ! কম কথা নহয়! ডাকবাবুৱে কলে, বসন্ত বাবু, টেলিগ্রামখন বাকে-তাকে নেদেখুৱাব। কোনোবাই নম্বৰটো জানিব পাৰিলে ফুট-নাট কৰিব পাৰে। মই ভাবিলো, কথাটো ভালেই কৈছে। সেই দেখি মই তোমালোকৰ বাহিৰে কাকো দেখুওৱা নাই। আনকি নগৰৰ পৰা থবৰ লবলৈ অহা ভদ্রলোক সকলকো দেখুওৱা নাছিলো। তেতিয়ালৈকে মোৰ সেই টেলিগ্রাম খনৰ ওপৰত অগাধ বিশ্বাস আছিল, আনকি মই নিজা সাৰ পালেও মেলি টেলিগ্রামখন চাইছে মনত শান্তি পাইছিলো। উস্ কৰুণা! কি কম ভাই! সেই সময়ত মোৰ বুকু এহাতমান ওখ হৈ ওফন্দি পৰিছিল। মোৰ এনেহে আনন্দ লাগিছিল যেন মই ভাতপানী একোকে নেখাম। টেলিগ্রামখন দেখা পালেই মোৰ ভোক-পিয়াহ সকলো গুচে। পৰিবাৰে মোৰ অৱস্থা দেখি মাজে সময়ে মুখত পানীও নচলাকৈ নাছিল। ক'বৰাত কেনেবাকৈ বলিয়া হওঁ বুলি তেওঁ বৰ ভয় খাইছিল। সেই বুলি মই একেবাৰেই গা এৰি দিয়া নাছিলো, তিকতাৰ তিৰীমতি নহয়, অলপতে ভয় খায়।

তাৰ পিছত টকা অহাত পলম হোৱা দেখা পাই এদিন মই ডাকবাবুৰ লগত এই বিষয়ে পৰামর্শ কৰিবলৈ গলো। মোৰ লগত একেলগে টিকট মোৱা আৰু কেজনমান তাতে বহি আছিল। মোক দেখা পোৱা মাত্রেই সকলোৱে গিজ্জনি মাৰি হাঁহিলে। মই ভাবিলো, টকা পোৱা দেখিয়েই হাঁহিছে হবলা। ডাকবাবুৱে সুধিলে, বসন্তবাবু! আপোনাৰ টেলিগ্রামখন আনিছে নে? মই কলো, আনিছো। ডাকবাবুৱে কলে, চাওঁ দিয়ক চোন, টকা অহাত ইমান পলম হোৱাৰ কাৰণ কি? এই বুলি মোৰ হাতৰ পৰা টেলিগ্রামখন লৈ ডাকবাবুৱে পিটকি পিটকি চাই কলে, বসন্তবাবু! এইখন যেনো সোণাপুৰৰ মোহৰ মৰা টেলিগ্রাম! মই বিচুৰ্তি খাই কলো, তেন্তে কোম্পানীৰ ঘৰৰ পৰা অহা নহয় নে কি? ভালকৈ চাওকচোন। মানুহ কেইজনে আকৌ গিজ্জনি মাৰি হাঁহিবলৈ ধৰিলে। মই সেই পিনেই এধামৰা হলোঁ। মোৰ গোটেই গাত কঁপনি উঠিল। ডাকবাবুৱে কলে, বসন্তবাবু! আপুনি বেজাৰ কৰিছে নে কি? মই নিজক চম্ভালি কলো—নাই, নাই, কিহৰ বেজাৰ? পালো বা নেপালো! চাই থাকোঁতেই ডাকবাবুৱে টেলিগ্রামখন টুকুৰা-টুকুৰকৈ

ফালি পেলালে। মই কলো, নেফালিব নেফালিব। কিন্তু তেওঁ শুনিলে। মোক বুজাবলৈ ধৰিলে। তাৰ পিছত মোৰ আক বুজিবলৈ বাকী নেথাকিল মোক লাজ দিবৰ মনেৰে যে ওওলোক আটাই কেইজনে এইটো চুবতি-সন্ধি। অলপ গহীন হৈ ডাকবাবুৱে কলে, বসন্তবাবু! টকা দাজ্জিলিঙৰ কাঠমিস্ত্রী এজনেহে পাইছে। আপোনাৰ লগত ধেমালি কৰিবৰ মনেনেহে সেইখন আমি লিখি দিছিলোঁ। মই বঙা পৰি হাঁহিমে নে কান্দিমেই একো স্থিৰ নোহোৱা হল। সকলোৱে কলে, ভালেই হল দিয়ক বসন্তবাবু! আপুনি টকা পোৱা হলেও তো কাকো দিবলৈ নেযায়। থাকিলেহৈতেন আপোনাৰ বাকচৰ ভিতৰত! কোনেও তো আক চাবলৈ নাহে মুঠতে আমাক ধনী বুলি নামটোহে লাগে। তেতিয়া হলে সকলোৱে ভয়ে ভয়েহে কথা কব। গতিকে কথাটো আপুনি কতো প্রকাশ কৰিব নেলাগে। পাইছোঁ বুলিয়েই বহি থাওক। উস্! কি ভয়ানক বঙালৰ ফাঁকি। কি ভালিয়াত! ইইঁত মনুহক নকৰিব পাৰে কি? উঃ! উঃ!! ককণা! মোক কিহে পাইছিল?

তাৰ পিছত মই ভাবিলো ভালেই হল; পোৱা হলেনো মই ইমানবোৰ টকাৰে কি কৰিলোঁ হেঁতেন? মুঠতে চকুতহে টোপনি নোহোৱা হল হেঁতেন! যেনে তেনে মোৰ ধনী নামটো ওলাল যেতিয়া, এতিয়া মোক আক কোনে পায়। ভাবিছিলো, এতিয়া মই দহ বুলিলে দহ, পচি বুলিলে পচি হয়। মই নাজাবিছিলো, দৃষ্টিৰ আঁৰত থাকি নিয়ন্ত্রিতে মোৰ এনে মিথ্যা প্রৰ্ফনাৰ প্রতিশোধ লবলৈ আলেখ-লেখ চাই আছিল। উস ভগৱান!

কিয়, হেঁপুনৰ পৰা যে গাড়ী ভৰাই টকা অনা কথা শুনিছিলো, সেইটোও মিছা নে কি? ১০১২ জন মানুহে বোলে তোমাক হেঁপুনৰ পৰা আগবঢ়াই আনিছিলগৈ হেনো?

নকবা আক ভাই! যেতিয়া মানুহৰ বিপদ আছে, মিছাও সঁচা হৈ পৰে। সেই এটা দিন কেনেকৈ কথা বোৰ থাপ খাই যায় চোৱা। সেইদিনা বাতিপুৱা মই নগৰলৈ যোৱা কথা সকলোৱে জানে। টকা আনিবলৈহে গৈছো বুলি সকলোবে মুখে মুখে হল। সেই দিনা গধূলি পৰত কিছুমান মাছ মাৰিবলৈ যোৱা মযমনসিঙীয়া আমাৰ পদুলিয়ে হাতত দা-পঁচা লৈ ঘৰলৈ উভতি গৈছিল হেঁপুনৰ ফালে যোৱা বাটেদি। তাকে দেখা পাই আমাৰ গাৰ্ডলৈ দুজন মানুহে পৰিবাৰৰ আগত কৈ দিলেহি। মূৰ্খ পণ্ডিতৰ অভাৰ নাই, পৰিবাৰক বুজাই দিলে, মই টকা আনিবলৈ যোৱা সংবাদ পাই হাতত দা যাঠি জোং লৈ মোক আক্রমণ কৰিবৰ কাৰণে এই মানুহবোৰ হেঁপুনৰ ফালে গৈছে। পৰিবাৰ কান্দিকাটি অস্থিৰ হল। মোৰ মাটিত থকা মানুহখিনি মতাই আনি মোক হেঁপুনৰপৰা আগ বঢ়াই আনিবলৈ পঠাই দিলে। মই বেলৰপৰা নামি মানুহ জাক দেখি বিচুৰ্তি খালো, সিহঁতৰ মুখে আমুল বৃত্তান্ত শুনি মোৰ হাঁহি উঠিল। যি হ'ক আমি সকলোটি ঘৰলৈ খোজ ললো। এনেহে ঈশ্বৰৰ ইচ্ছা, হেঁপুনৰপৰা অলপমান আহিয়েই, মোৰ ঘৰৰ ওচৰৰে বেপাৰী এজনে সবিয়হৰ বস্তা চটাবে গাড়ী এখন লৈ ঘৰলৈ ওভোতা দেখা পালো। আমি কথা পাতি পাতি ঘৰলৈ খোজ ললো। বাটৰ কাষৰ মানুহবোৰে আমাক ওলাই ওলাই চাইছিল। পিছদিনা মই গাড়ীত ভৰাই টকা অনা কথা বাষ্ট্র হৈ পৰিল। মোক সকলোৱে সুধিবলৈ ধৰিলে। মানুহবোৰে মোক ভয়ে ভয়ে কথা সোধা দেখি, গপতে ওকনি পৰি সৈ কাচিবলৈও নহল, আসৈ মাতিবলৈও নহল। সকলোৱে কলে কি জানা, ককণা? কলে বোলে, কোনে নো টকা এগাল আনিছো বুলি কয়, আজিকালি যি হে চোৰ-চাবিৰ দিন। তাৰ পিছত মোক টকা বিগাৰি অহা মানুহে থাবলৈ শুবলৈ নিদিয়াত পৰিল। কাশি দুপৰীয়া একাক মৈমনসিঙীয়া আহি মোক টকা ধৰিছিল, মই দিব নোৱাৰো বুলি কোৱাত আজি নিশা আমাৰ এই দুর্গতি কৰিলে যি যত কুটা-কাটিদাল ইমান দিনে গোটাইছিলো, সোণাকে তলি উদং কৰি নিলে। সেই কুবি হেজাৰ টকা দেখুৱাই নিদিয়াত মানুহবোৰ এই অৱস্থা ওচৰৰ দোকানীহঁতে সাৰ পাই খেদি নহা হলে মোক আক দেখা নেপালা হেঁতেন।

উসঃ! মোক কিহে পাইছিল! লোকৰ উচটনিত পৰি ধনী বোলাবলৈ মোৰ নিজৰ যি হল হল; মোৰ লবা তিকতাৰ নো কি দুর্গতি হব! ভাই ককণা! বাচি থাকিলে কোনো কথা নাই। মনোহে যদি মোৰ লবা, তিকতাক চাবা।

এই বুলি বসন্তই কান্দিবলৈ ধৰিলে।

মই হিন্দু

—শ্রীযুত জ্ঞাননাথ বৰা, বি-এল

এদিন বাতিপুৱা বাটত ফুৰোঁতে আঁহত গছ এজোপাত এখন জাননী দেখিলোঁ। জাননী পঢ়ি বুজিলোঁ যে ভাটীৰ ফালৰ পৰা এজন ডাঙৰ বক্তা আহি আবেলি হিন্দুধৰ্ম্মৰ বিষয়ে বক্তৃতা দিব। মোৰ বক্তৃতা শুনিবলৈ বৰ ধাউতি হল। আবেলি হলত মই সভাত উপস্থিত হলোঁ। এ ছবি! অতবোৰ মানহ গোট খাইছে। বক্তাজন সমমাজত আছে। তেতিয়াও তেখেতে বক্তৃতা দিয়া নাই। মই সক লৰা—দেখা নেপাওঁ। ইফালৰ পৰা চাওঁ, দেখা নেপাওঁ; সিফালৰ পৰা চাওঁ, দেখা নেপাওঁ। পিছে কোনো উপায় নেপাই মানুহ ঠেলি ভিতৰ সোমাই যাবলৈ ধৰিলোঁ। সক লৰা দেখি সবহ ভাগে যাবলৈ বাট দিলে। কিছুমানে অৱশ্যে খং কৰি কোদোৱাকৈ চাইছিল। সি যি কি নহ'ক কোনো প্ৰকাৰে গৈ আগত থিয় হলোঁ। আক বক্তাজনক ভালকৈ দেখা পালোঁ। বক্তা ডাঙৰীয়াই বক্তৃতা দিবলৈ আৰম্ভ কৰিলে।

বক্তৃতা বৰ দীঘল হৈছিল, বহত কথা মই বুজিব পৰা নাছিলোঁ। যিখিনি বুজিব পাৰিছিলোঁ তাক এতিয়াও পাহৰা নাই। তেওঁ কৈছিল যে আমি কেতিয়াও কাকো ঘিণাৰ নেলাগে। ঘিণোৱা মানুহৰ ধৰম হব নোৱাৰে। কিন্তু আমি হলে দিনে-নিশায় মানুহক দুৰ-দুৰ ছেই ছেই কৰি আছোঁ। নীহকুলীয়া মানুহৰ ওচৰ নেচাপোঁ, সিহঁতে ছুই দিয়া কোনো বস্তু গ্ৰহণ নকৰোঁ। সিহঁত ঘৰত সোমালে আমাৰ সকলো বস্তু চুৱা যায়। সিহঁতক আমি নোছোওঁ। সিহঁতে যিমানেই নিকা কাপোৰ নিপিন্ধক, যিমানেই গা নোধোৱক বা যিমানেই লিখাপঢ়া নকৰক, তথাপি সিহঁত আমাৰ সমান হব নোৱাৰে, সিহঁতে ছুলে চুৱা যাবই। এইটো ঘিণোৱা নহয় নে? সিহঁত আক আমাৰ প্ৰভেদ কি? সিহঁতো মানুহ, আমিও মানুহ। আমাৰ যেনে সুখ-দুখ আছে, সিহঁতৰো আছে। সংসাৰৰ কেৱল আমাৰেই নহয়, সিহঁতৰো। ইত্যাদি বহত কথা কলে। আক কলে যে আমি কেতিয়াও কোনো কথা ততালিকে মানি লব নেলাগে, মনে মনে এই বিষয়ে প্ৰশ্ন কৰিব লাগে। এই কথা বহত উদাহৰণ দি বহালই বুজাই দিছিল। তেখেতে এনে অনৰ্গল বক্তৃতা দিছিল যে সভাত থকা আটাইবিলাক মানুহে তবধ মানিছিল।

এই বক্তৃতা শুনি মোৰ লবালি মন তেনেই অধিৰ হল। মই তেতিয়া ইংৰাজী সুলৰ তৃতীয় মান শ্ৰেণীত পঢ়োঁ। মই আগেয়ে এনেবোৰ কথা শুনা নাছিলোঁ। তেওঁৰ কথাবিলাক মোৰ মনত বৰকৈ লাগিছিল, কাৰণ বহত কথা সঁচা।

সিদিনা গধূলি মই পাণৰজাৰৰ পৰা কেইখনমান চুবিয়া আক এজোৰ জোতা কিনি এটা ডাঙৰ টোপোলা কৰি হাতত লৈ আছিছোঁ। বাটত সাঁজ গঢ়িল। আঁউলী নিশা। ঘিটমিটীয়া আন্ধাৰ। মই আহি আমাৰ ঘৰৰ কাষৰ বকুল কেইজোপা পালোঁ। বকুলৰ তল তেনেই আন্ধাৰ। এটা অকণমান তিনি বছৰীয়ামান লৰাই সেই আন্ধাৰত ঘুৰমুটিয়াই ফুৰিছে। মই ওচৰ চাপি চাওঁ যে আমাৰ তাৰৈৰ অকণমান পোপাটো। মই লৰালৰিকৈ লৰাটো কোলাত ললোঁ। আক বেগাই তাৰৈৰ ঘৰলৈ আহিবলৈ ধৰিলোঁ। মোৰ এহাতে সেই টোপোলাটো আক এহাতে সেই লৰাটো দৈ কথমপি আহি তাৰৈৰ ঘৰ পালোঁ। মই তাৰৈৰ ঘৰ সোমাই মজিয়াত লৰাটোক নমাই আমৈক চিঞৰ মাৰি কলোঁ—"আমৈ আমৈ! তোমাৰ পোপাটো বকুলৰ তল পাইছিল গৈ, মই লৈ আহিছোঁ।" আমৈয়ে সি খোটালীত ভাত বান্ধি আছিল। মোৰ কথা শুনিয়ে আমৈয়ে কলে—"হেঁ কি কৈছ! পোপাটোক দেখোঁ শুৱাই থৈছিলোঁ, সি নো গৈ বকুলৰ তল পালে নে?" এই বুলি এটা চাকি লৈ আমাৰ ওচৰ চাপিল। চাকিৰ পোহৰত চাওঁ যে লৰাটো আমৈৰ পোপা নহয়, অমুকা (নাম নকওঁ), হাৰিব লৰা। লৰাটোক দেখিয়েই আমৈ খণ্ডত মূৰ্ছাভূত হল—"হে এই হাৰিব লৰাটো আনি আমাৰ ঘৰত সুমাই দি আটাই খোৰ চুৰা কৰিলে। মোৰ চক-হাড়ি সকলো পেলাব লাগিল। মই কেতিয়া ভাত বান্ধো, কেতিয়া লৰাহঁতক খুৱাওঁ।" ইত্যাদি বহত কথা কলে। আমৈৰ ইমান খং উঠিছিল যে মুখলৈকে চাব পৰা নাছিলোঁ। সৰ্ব্বনাশ! আজি মোক কি-কৰে! এনেতে তাৰৈ আহি ঘৰ সোমাল। আমৈয়ে সোমোৱা মাত্ৰে সকলো কথা তাৰৈক কৈ দিলে। এখন হলুদুল লাগিল। ওচৰচুবুীয়া মানুহ আহি তাৰৈৰ চোঁতাল পালে। তাৰৈয়ে খং কৰি মোক কলে—"হেব! এই লৰাটোক ইয়াত এবি যাব নোৱাৰ। যেনেকৈ আনিছিলি তেনেকৈ ভালে ভালে থগৈ।" মই ততালিকে লৰাটোৰ হাতত ধৰি ঘৰৰ পৰা বাঞ্জ উলিয়াই আকৌ তাক লৈ যাবলৈ ধৰিলোঁ। এইবাৰ আক মই কোলাত তোৱা নাই। জানিশুনি নো কেনেকৈ হাৰিব লৰা এটাক কোলাত লোৱা। তাতে আকৌ আমাৰ ওচৰচুবুীয়া মানুহ আহিছে। সিহঁতে দেখিলে নো কি বুলিব? মই ভয়ত তাক এহাতে ধৰি আক এহাতে টোপোলাটো লৈ যাবলৈ ধৰিলোঁ। সি ভালকৈ খোজো কাঢ়িব নোৱাৰে। মোৰ সিদিনাৰ দুৰ্গতি কোনে গতিয়ায়! সি যি কি নহক তাক কোনো প্ৰকাৰে টানি নি সিহঁতৰ পদুলিৰ কাষত থলোঁ। সি ঘৰ পালে ভিতৰলৈ লৰ মাৰিলে। মহা "আপদ গল" বুলি বেগাই আমাৰ ঘৰলৈ উলটিলো। তাৰৈৰ পদুলি পাওঁতে দেখিলো যে তাৰৈয়ে ভাতআজা আটাইবোৰ চুবনিত পেলাই দিছে আক কেবাহী চুটা পুৰিবলৈ ধৰিছে। আমৈয়ে বলকৈয়ে আছে—"আমাৰ লৰা সাঁজ হলে ঘৰলৈ আহে, বাংবাৰ্কৈ লৰি মুকুৰে। বাটৰ পৰা লৰা বুটলি আনিব আক আমাৰ ঘৰত সুমাই দিব।" ইত্যাদি, ইত্যাদি।

আক এদিন আমাৰ দেউ ভৰলুত গা ধুই একলহ পানী হাতত লৈ লৰালৰিকৈ ঘৰলৈ আহিছিল, পদুলিৰ খাৰৈত এখন বাঁহৰ সক সাঁকো আছিল, সেইখন পাৰ হৈ চোঁতাললৈ যাব লাগে। তেওঁ সাঁকোখনেৰে খুপি খুপি আহোঁতে আমাৰ মাঘী চড়ালনীৰ পাঁচবছৰীয়া লৰাটো ক'ৰবাৰ পৰা আহি সাঁকোৰ ওৰতে থিয় হল। তেওঁ লৰাটোৱে কেনেবাকৈ ছুই দিব বুলি আঁতৰব পৰা ডেও দি যাব খোজোঁতে পিছল খাই ধুপুহকৈ খাৰৈত পৰি গল। খাৰৈ কোনোবা কালৰ পলস বোকাৰে উপচি আছে। কি চাবা! বোকাৰে তেনেই লুতুৰি-পুতুৰি হল। তাতে এজাক লৰাই চোঁতালত ধেমালি কৰি আছিল। সিহঁতে দেখা পাই "দেউ পৰিল, দেউ পৰিল" বুলি চিঞৰি-বাখৰি, হাতচাপৰি বাই হাঁহি-খিকিন্দালি কৰি হলুদুল লগাই দিলে। গোটেই ভৰলুমুখৰ মানুহ আহি জুম পাতিলে। দেউ খণ্ডতে টিঙিবি তুলা যেন হল। তেওঁ কাকো নেমাতি কাৰেকে নেচাই আকৌ ভৰলুলৈ বাট ললে। এইবিলাক কথা মোৰ মনত পৰিবলৈ ধৰিলে। মোৰ পেটে পেটে বৰ খং উটিল। আমাৰ মানুহবোৰে কি কৰিছে! মিছাতে জাত-জাতকৈ মৰিছে। আমাৰ মানুহবোৰ বৰ অযুজ। বুজিলে এনেবোৰ কাম কৰে নে?

পাছদিনা ক্লাচত মই লৰাবিলাকক বুজাবলৈ ধৰিলোঁ। যাকে পাওঁ তাকে কওঁ—বামুণ শূদ্ৰিৰ সকলো সমান, কাকো নাবাছিবা; ডোম, চড়াল, হাৰি কোনো নীহ হব নোৱাৰে। বক্তাজনে যি যি কৈছিল তাকে কবলৈ ধৰিলো। মোক পায় কোনে? মই তেনেই সমাজসংস্কাৰক হৈ পৰিলোঁ। মোৰ কথা শুনি মোৰ বক্তৃতা শুনি সকলো তবধ। কিছুমানে ঠাট্টা কৰি কলে—"যা যা, বামুণ শূদ্ৰিৰ সমান কৰিব আহিছে; বি বামুণ বামুন, যি শূদ্ৰিৰ শূদ্ৰিৰ।" কিছুমানে আকৌ বিদ্ৰূপ কৰি যি মুখত আহিছে তাকে কলে। সিবিলাকৰ কথা শুনি মোৰ খং উঠিছিল। আমাৰ ক্লাচত ছজনমান নদীয়ালৰ লৰা আছিল। আচবিত কথা! সিহঁতেও মোৰ কথা ভাল পোৱা নাছিল। মুখ ইকাতি সিকাতি কৰি মনে মনে আছিল। সি যি কি নহ'ক আমাৰ ক্লাচৰ নাৰায়ণে কিবা কথাত মোৰ নাম ওলাওঁতে

কলে—"ও সেই বলিয়াটো"। মই আঁতৰব পৰা শুনি আছিলোঁ। নাৰায়ণ আমাৰ ক্লাচৰু সকলোতকৈ ভাল লৰা। তেওঁক আটায়ে সন্মান কৰে। তেওঁৰ মুখত এনে কথা শুনি মোৰ বৰ খং উঠিছিল। অৱশ্যে সেই দিনা মই কাকো একো নকলোঁ।

পাছদিনা দেওবাৰ আছিল। সেই দিনা ৰাতিপুৱাৰে পৰা কলহৰ কানে বৰষুণ পৰিছে। চুপৰীয়া আমাৰ দন্তাই-দেউৰ বুলনিঘৰত নাওবাম, আদৰ ধনী, মিঠাৰাম আৰু কেইবাজনে গোট খাই মেল পাতিছে। ময়ো তাতে ওলালোগেঁ। সিহঁতৰ মেল শুনি আছোঁ। মেলৰ কোনো নির্দ্ধাৰিত বিষয় নাই। এটা কথাৰ পৰা আন এটা কথাৰে বাগৰি গৈছে, অথচ তাৰ উমান পোৱা নাই। এইদৰে কথাৰ মুখত কথা ওলাওঁতে ডোমৰ কথা ওলাল। এই কথা ওলাবৰ পাক লাগিল। কালি কাছাৰিত হেনো ধর্ম্মেই পোহাৰীয়ে জয়ৰামক এখন তামোল দিছিল, তাকে সি খাই পেলালে। মীনাই দেখা পাইছে। এই কথা ওলোৱা মাত্ৰে মেল তপত হৈ উঠিল। ধনীয়ে খং কৰি এছাৰ মাৰি কলে—"সি মৰাই ভাল, চোৱাচোন ধর্ম্মেই পোহাৰীৰ ইমান সাহ, তাই বাক দিলেই, জয়ৰামে খাব পায় নে? তাৰ জাত গৈছে, তাক এঘৰীয়া কৰিব লাগে' কালিলৈ মনাইৰ বিয়া নহয়, তাতে এই কথা উলিয়াব লাগিব। পবাচিত নহলে সি ছোৱা-গোজা বস্তু খাব পাৰিনে? কি বোলা তোমালোকে?"

আনবিলাকে উত্তৰ দিয়াৰ আগেয়ে মই মাত লগালো, "কাকা! জয়ৰামে ধর্ম্মেই পোহাৰীৰ পৰা তামোল খাই জগৰ লগালে নে? তাই জানো মানুহ নহয়? তাই কি বুলি সক? তাইৰ তোমাৰ দৰে নাক-কাণ হাত-ভৰি সকলো আছে। তাইৰ সুখ-দুখ দয়া-মৰম আটাইবোৰ আছে। ঈশ্বৰে তোমাকহে সৃজিছে, তাইক সৃজা নাইনে? তাই নো কি দায় লগাইছে? তাই দেখোন নিতৌ গা ধুই নিকা কাপোৰ পিন্ধে, নামঘৰলৈ যায়, ওকণ নাম লয়। তাই কি নকৰে! তুমি কি বুলি ডাঙৰ হবা? জয়ৰাম কি বুলি ডাঙৰ হব? জয়ৰাম আৰু তাই একে। জয়ৰামে তামোল খাই বৰ জগৰ লগালে? সিদিনা সেই জয়ৰামে কাছাৰিত সাক্ষী কওঁতে জল্ জল্ পট্ পট্ হিয়া কথা নকলে নে? সেই বাবী দেওবৰীৰ আপোন বুলিবৰৈ কোনো নাই, তাই খুজি মাগি খায়। মধুৰে সিদিনা তাইৰ চুলিত ধৰি ছটা কিৰা মৰা মাছিল নে? জয়ৰামে মিছ চকুৰে দেখা নাছিলনে? তোমালোকেও দেখা নাছিলা নে? পাছে দেখোন হাকিমে সোধাত জয়ৰামে কলে—"মধুৰে দেওবৰীৰ চুলিত ধৰা নাই, কিলো মৰা নাই। তাই মিছাই গোচৰ কৰিছে"। তোমালোকে জয়ৰামৰ মাতি আনি এই কথা সুধিছিলানে—"হেৰ জয়ৰাম! তই হাকিমৰ আগত কিয় মিছা কথা কলি?" মনে মনে থাকিলা দেখোন। ও! এইটো তাৰ অপৰাধ নহয়। তামোল খোৱাটোহে হল অপৰাধ। "এয়ে তোমালোকৰ বিচাৰ! ধর্ম্মেই পোহাৰী জাতত ডোম। ডোম নো কি বেয়া জাত? সিহঁতে মাছ বেচে তোমালোকে যেনেকৈ খেতি বাতি কৰা সিহঁতে তেনেকৈ মাছ বেচে। তোমালোক কি বুলি ডাঙৰ হবা? জাতিৰ সক-বৰ তোমালোকে কৰিছা। ঈশ্বৰে কেতিয়াও ইয়াক ডোম, তাক কলিতা, তাক বামুণ কবি সৃজা নাই। সকলো একে মানুহ। ঈশ্বৰৰ চকুত আগেয়ে সমান। ডোম কেতিয়াও সক হব নোৱাৰে। সিহঁতৰ হাতে তামোল খালে কোনো দায়ে নেপায়।"

এই কথা কেইখাৰ কৈ মই টলকা মাৰিলোঁ। মোৰ কথাখিনি আটায়ে হুঁ-হা নকৰাকৈ কাণ পাতি শুনি আছিল। মই ভাবিলোঁ মোৰ এই চোকা চোকা কথা কেইটা নিশ্চয় এওঁলোকৰ মনত লাগিছে। মনত ৰং পালোঁ যে মোৰ কথাই ফল দিছে। পাছে দেখিলোঁ মোৰ কথাৰ বিপৰীত ফল। মীনাৰামে মিচিকতে হাঁহি এটা মাৰি আটাইবিলাকলৈ চাই কলে—"আমাৰ বোপা পকিল, তলে তলে যে ইমানখিনি পাইছে তাৰ উমানকে পোৱা নাছিলোঁ। আমাৰ ভাত-আজাই বোপাৰ মুখত নেলাগে।" আদৰে খং কৰি চকু ঘোপা কৰি মাত লগালে "নানাদিৰ তো; আমি জানো সদায় বৌমাছৰ মুৰ খাওঁ, চিতল মাছৰ কোলঠি খাওঁ। ডোমৰ ঘৰত ডাঙৰ ডাঙৰ বৌমাছ দেখিছে নহয়; ডাঙৰ ডাঙৰ চিতল মাছ দেখিছে নহয়। ঘোৱা ঘোৱা বোপা! আমাৰ লগত থাকিব নেলাগে, ডোমৰ তাঁৰে ঘোৱা, তাত নিতৌ চিতল মাছৰ কোলঠি খাসলৈ পাবা।" আদৰৰ কথা শুনি আটাইবিলাকে হাঁহি পেলালে। আদৰে আকৌ কলে—"চোৱাচোন চোৱা সিদিনাখনৰ লৰা, তাতে তাৰ বৰ বৰ কথা। দেখিছাহে গঠীয়া-ঘিমক, বাটলু-ওটি, তলে তলে পুনঃ; কথা গচ লগাই লগাই কৰ জানিছে—বোলে পীবা ছেলেকা ডোম আমাৰ সমান।"

এনেতে কফুৱা মিঠাৰামে কাহি কাহি থেকাৰ ঘৰৰ চুকত পেলাই নেথাই নেথাই কৰলৈ ধৰিলে—"বোলো, বোপাৰ নিমিত্তে এজনী চুমুনী ছোৱালীহে চাব লাগিল, ছোৱালীবা পাওঁ ক ত?" ধনে উপ্ কৰে কলে—"কিয়, ছোৱালী আমাৰ ঘৰৰ কামতে আছে—গেন্ধেলী" গেন্ধেলীৰ নাম কোৱা মাত্ৰে আটাইবিলাকে গিৰ্জ্জনি মাৰি হাঁহিবলৈ ধৰিলে। "ঠিক কৈছা, ঠিক কৈছা" এই বুলি আটায়ে বাগৰি বাগৰি হাঁহিবলৈ ধৰিলে।

গেন্ধেলী এজনী অকণমান ছোৱালী। বয়স প্ৰায় ৮৯ বছৰ হব। তাইৰ মাক-বাপেক কোনো নাই। মুনদিয়ে মৰম কৰি ভাত দুটা দি ঘৰত ৰাখিছে। তাই দেখিবলৈ বৰ কুৎচ, লেতেৰী, ফেদেলী; চুলিবোৰ ছুতুলি-পুতুলি, এঙাৰব নিচিনা কলা তাতে পেটুলী। তাই এখন কৈতুৰি-কলা মেখেলা পিন্ধি থাকে। তাইৰ সদায় নাকত শেণুৰ টেপা, সাইলাখ বাঁহৰ তলৰ যখিনী। তাই নিতৌ কাষত এটা লোটা লৈ ভবলুৰ পানী আনে। ভবলুৰ পৰা উঠোতে কি চাবা—তাই পেটকে ডাঙিৰে নে কলহকে ডাঙিৰ। পানী অনাই তাইৰ কাম। মেতিয়াই যাবা তাইক পানী অনাহে দেখিবা। তাইক নিচিনা লোক ভবলুমুখত কোনো নাই।

এই গেন্ধেলীৰ লগত মোৰ বিয়া পাতে। কথাখন শুনি খণ্ডত মোৰ গা ৰিপিবলৈ ধৰিলে। মোৰ মুখখন সেন্দুৰীয়া আম যেন হল। মই কি কৰোঁ কি নকৰোঁ চটফটাই আছোঁ। মই মুৰব পৰা ভৰিলৈ ঘামিবলৈ ধৰিলোঁ। মই ছৱাখন আঙ্গোৰ মাৰি মেলি সাউত কৰে ওলাই আহিবৰ সময়ত মীনায়ে গহীনকৈ কোৱা শুনিলোঁ—"লৰাই ইংৰাজী লিখা-পঢ়া শিকিলে এয়ে হয়।"

ৰাজত আছি দেখিলোঁ বৰষুণ নাই। এইমাত্ৰ বৰষুণ এবিছে, তেতিয়াও চালে পানী কাটিছে। মই লৰাগৰিকৈ বেগাই ঘৰলৈ যাবলৈ ধৰিলোঁ। বৰষুণৰ পানীৰ কেউপিনে ধাৰ বৈছে। মই তলমুৰ কৰি বোকা নগছাকৈ গৈ আছোঁ। এবাৰ হঠাৎ ভবলুলৈ চকু পৰিল। এজনী ছোৱালীয়ে কাষত লোটা লৈ খুপি খুপি গৰা উঠিবলৈ ধৰিছে তাই কোনো নহয়—সেই গেন্ধেলী। বৰষুণ এবিছেহে তাই লোটা লৈ ওলাইছে। তাইক দেখা মাত্ৰেই মোৰ খং মুৰ পালেগৈ। মই ফোঁপাবলৈ ধৰিলোঁ। মই তাইলৈ নেচাই বাটৰ আনপিনে তামোলৰ আগবোৱালৈ চাই ভোঁ-ভোঁ কৰে একেবাৰে ঘৰ পালোগৈ।

ঘৰত ৰাঁ-জলপান খাই আবেলি লুইতৰ পাৰত ফুৰিবলৈ ওলালোঁ। মোৰ কিন্তু মনটো তেনেই ইচাট-বিচাট কৰি আছে। সেই কথা বিলাক ঘনে ঘনে মনত পৰিছে আৰু খণ্ডত মাজে মাজে দাঁত কামুৰি উঠিছো। এনেতে মোৰ এজন বন্ধু পালো। তেওঁৰ লগত ফুৰোতে ফুৰোতে সেই দিনাৰ ঘটনা বিষয়ে কবলৈ ধৰিলোঁ। তেওঁৰ আগত কবলৈ পাই মোৰ বুকৰ বোজা পাতলিল। তেওঁ একমনে মোৰ কথা শুনি আছিল। মোৰ কথা শেষ হলত তেওঁ হিঃ-হিঃকৈ হাঁহিবলৈ ধৰিলে। তেওঁৰ হাঁহি আৰু নবহু, আকৌ বৈ বৈ হাঁহিবলৈ ধৰিলে। মই সোধোঁহে সোধোঁ, মোৰ কথাটৈ কৰ্ণপাতকে নকৰে, কেৱল হাঁহে। মোৰ বেয়া লাগিল। তেওঁ কেতিয়াও মোক ঠাট্টা-বিদ্ৰূপ নকৰে। আজি কিয় এইদৰে হাঁহিছে। মোৰ অলপ খং উঠিল। খং উঠা দেখি তেওঁ মোৰ পিঠিত লাহে লাহে চপৰিয়াই কলে—"তুমি মিঠাৰাম আৰু নাওবামক এইবোৰ কথা কবলৈ গৈছিলা। সিহঁতে তোমাৰ কথা শুনি ডোমৰ হাতে তামোল খাব! বোলো বৰ বৰ মানুহে সেই কাম কৰা নাই, সিহঁতে কৰিব! অমুক অমুক জানো শিক্ষিত লোক নহয়! তেওঁলোকে বি-এ, এম-এ পাছ কৰা নাই! তেওঁলোকৰ কোনো হাকিম কোনো উকিল নহয় নে? তেওঁলোকে সেই কাম

কৰা দৃবৈত থাওক, আনে কবিলেও তাক নিন্দে, এঘবীয়া কবে। সিদিনা অমুকে তোমালোকৰ চৰাঘৰত সাতোলা বহি থাকোতে এগিলাচ পানী খাওঁতে তেওঁলোকে কিখন কলে! তেওঁক পাৰে মানে লাজ নিদিলে নে?"

মই বন্ধুজনক কলোঁ—"তেনেহলে তুমি কব খোজা নে তেওঁলোক বি-এ, এম-এ পাছ কবি হাকিম উকিল হৈও নাওৱাম আক মিঠাৱাম হৈয়ে আছে? এইটো তোমাৰ অবিচাৰ।" এই কথাত বন্ধুৱে হাঁহি হাঁহি কলে, "তেনেহলে নো কি? তুমি আমি নে নাওৱাম আক মিঠাৱামতকৈও সৰু। তুমি আক আমি সিবিলাকৰ কথামতে চলা নাই নে? তেওঁলোক আমাৰ সমাজৰ আক ধৰ্ম্মৰ ৰখিয়াল নহয় নে? তেওঁলোকে দহ বুলিলে দহ, পচিশ বুলিলে পচিশ। সিদিনা আমাৰ নিদিবাবুৱে চেঁটু ফালি কলেহে কলে "ডোম, চণ্ডাল, যোগী, কাটনি কোনো অস্পৃশ্য হব নোৱাৰে, ঈশ্বৰৰ চকুত সকলো সমান। আমি তেওঁলোকৰ হাতে পানী খোৱাত কি আপত্তি আছে?" কিন্তু ক'তা! তেওঁৰ কথা কেৱে কণপাত নকৰিলে। আটায়ে সিবিলাকৰ কথামতেহে চলিলে। তেওঁলোকে বহ বুলিলে বহা, উঠ বুলিলে উঠা।"

এই বুলি বন্ধুজনে মোৰপৰা বিদায় লৈ আন এটা বাটেৰে টকৌৱাবীলৈ গুচি গল। মই তেওঁৰ কথাবিলাক ভাবি গুণি আহোঁতে আহোঁতে ভালেখিনি নিশা হল। দেউতাই খং কৰিব বুলি লৰালৰিকৈ আহিবলৈ ধৰিলে। বাট পদুলি আন্ধাৰ হল। তৰাবিলাক আকাশত ভালকৈ ওলাইছে। আমাৰ সমুখৰ বকুল জোপাত তলত হেজাৰ জোনাকী পৰুৱা আহি চিক্‌মিকাবলৈ ধৰিছে। মই ঘৰ সোমাই দেউতাৰ মাত শুনিলোঁ। আনদিনা মই আগেয়ে ঘৰ সোমাওঁ, তাৰ বহুত পাছতহে দেউতাই ঘৰ সোমায়। আজি সৰ্ব্বনাশ! ইমানখিনি পলম হৈছে বুলি কব পৰা নাছিলোঁ। মই হাতত-সাবে ভবিত-সাবে চৈ মোৰ খোটানীত সোমালোঁ আৰু চাকিটো লগাই দিলোঁ। লৰালৰিকৈ চকীত বহি মেজত ঠাইতে হিষ্টৰিবন (History) পাই মেলিলোঁ। ওলাই পৰিল আকবৰ ডি-গ্ৰেট (Akbar the Great)। মই চিঞৰি চিঞৰি ঘৰৰ সিমুৰলৈকে শুনাকৈ আকবৰ-ডি-গ্ৰেট পঢ়িবলৈ ধৰিলোঁ।

গীত

শ্ৰীযুত পাৰ্ব্বতিপ্ৰসাদ বৰুৱা, বি-এ

গৱঁযীয়া, হেৰ গাৱঁযীয়া!
কি সুৰ বজালি দুপৰীয়া?

পথাৰৰ মাজতে আঁহতৰ তলতে
ম'হৰ শিঙৰ পেঁপাটি বাই,
দুপৰৰ আকাশত কি সুৰ মেলিলি
জগত নিজান পৰি যায়।

আঁহতৰ পাততে লাগিছে সুৰ,
বতাহ বলিছে জুৰ জুৰ জুৰ।

সুৰৰ ধনি শুনি কলিজাত কঁপনি
বঙত ঘনে ঘনে লাগে;
কোনোবা কাহানিৰ লৰালিৰ কাহিনী
মনত মনে মনে জাগে॥

বৰ্ণাত্মক শব্দ

—শ্ৰীযুত সুৰেন্দ্ৰ মোহন দাস, এম-এ

ঢুটা বা তাতোকৈ সৰহ বস্তুৰ ঘাত-প্ৰতিঘাতৰ দ্বাৰাই শব্দৰ (sound) উৎপত্তি। শব্দ দুবিধ—ধ্বন্যাত্মক আৰু বৰ্ণাত্মক। মানুহে মুখেৰে বিৱাৰ কথা উচ্চাৰণ কৰি ভাষা প্ৰকাশ কৰে তাক বৰ্ণাত্মক শব্দ (Word) বোলা হয়। শব্দৰ অতি সূক্ষ্ম অংশ বা সমষ্টি ভাগক বৰ্ণ বা আখৰ বোলে। ব্যাকৰণমতে অৰ্থবিশিষ্ট বৰ্ণ বা বৰ্ণসমূহক শব্দ বোলা হয়; কিন্তু অৰ্থবিহীন শব্দও সম্ভৱপৰ। মানুহে উচ্চাৰণ কৰা প্ৰত্যেক কথাই অ, আ, ক্, খ্ আদি বৰ্ণসমষ্টিৰে লিখা হয়। আমাৰ ভাষাক এই বৰ্ণবোৰত পৰ্য্যবসিত কৰা হৈছে। শব্দ উচ্চাৰণ কৰি মানুহৰ পক্ষে ভাষা সম্ভৱপৰ হৈছে; কাৰণ মানুহৰ বাক্‌শক্তি আছে। বাক্‌শক্তিৰ দ্বাৰাই মানুহে যি শব্দকে উচ্চাৰণ নকৰক, তাক আমাৰ বৰ্ণকেইটাৰে প্ৰকাশ কৰা যায়। প্ৰত্যেকটো বৰ্ণ উচ্চাৰণ কৰোতে কণ্ঠৰ পৰা বতাহ আহি কেনেকৈ ক্ৰমাং মুখৰপৰা ওলায় তাকো নিশ্চয় কৰা আছে। প্ৰাচীন ভাৰতত বৈদিক যুগৰ পৰাই ভাষাবিজ্ঞান আৰু শব্দতত্ত্ব সম্বন্ধে বহু আলোচনা হৈছে।

Gesture language, drum language, whistle language, picture language আদি নানাবিধ উপায়েৰে মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ প্ৰয়াস পাইছিল। কিন্তু মানুহৰ মন ইমান ভাবেৰে ভৰপূৰ যে ওপৰৰ কোনো ভাষাই তাৰ ভাৱৰ বোজা গাতল কৰিব পাৰা নাই। কাৰণ ওপৰত কোৱা ভাষা বোৰৰ দ্বাৰাই মানুহৰ মনৰ সকলো ভাব ফটফটীয়াকৈ প্ৰকাশ কৰা টান। তেতিয়া মানুহে ভাৱৰ উপযুক্ত বাহন বিচাৰি আশ্ৰয় ললে বাক্‌শক্তিৰ। ভগৱানে মানুহক বোধকৰো এই উদ্দেশ্যেই বাক্‌শক্তি দান কৰিছিল। বিজ্ঞানবোৰ উপায়েৰে মনৰ ভাব প্ৰকাশ কৰা যায় তাৰ ভিতৰত শব্দ ব্যৱহাৰেই শ্ৰেষ্ঠ আৰু উজু উপায়। শব্দৰ দ্বাৰাই সংজ্ঞা ব্যৱহাৰ কৰিবৰ ব্যৱস্থা নহলে এই বিশ্ব সংসাৰ দুৰ্জ্ঞেয় অনভিদেয় পদাৰ্থ হৈ থাকিল হেঁতেন। "বাক্‌তন্ত্ৰিৰ্ণামানি দামানি"—বাক্যৰূপ তন্ত্ৰী আৰু নাম বা সংজ্ঞাৰূপ বচিবে এই বিশ্বসংসাৰ গঁথা আছে। শব্দৰ দ্বাৰাই পদাৰ্থৰ স্বতন্ত্ৰ জ্ঞান হয়, একত্ব বহুত্বত পৰিণত হৈছে। "বাগেৱ বিশ্বা ভুবনানি জজ্ঞে"—পৰম পুৰুষৰ মুখৰ পৰা ওলোৱা বাক্যৰ পৰাই বিশ্বপ্ৰপঞ্চৰ সৃষ্টি হৈছে।

মানৱ সভ্যতা বাক্‌শক্তিৰ ওচৰত কিমান ঋণী তাৰ অলপ গম চালেই বুজিব পাৰা যায়। বাস্তৱিকতে প্ৰাণশক্তিৰ পাছতেই বাক্‌শক্তিয়ে মনুষ্যজীৱনৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিছে। বাক্‌শক্তিয়ে মানুহক কবি, সাধক, প্ৰেমিক কৰিছে। বাক্‌শক্তিৰ গুণেই মানুহে ইতৰ জীৱতকৈ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিব পাৰিছে। ডাঙৰ হোৱাৰ লগে লগে মানুহৰ মনত যিবোৰ ভাব ওপজে তাক বাক্যেৰে প্ৰকাশ কৰিব নোৱাৰিলে চিন্তাশক্তি লোপ পালে হেঁতেন; সৌন্দৰ্য্য বা ৰস উপভোগ কৰা সম্ভৱ নহল হেতেন। অঙ্গ-প্ৰত্যঙ্গৰ আও-ভাওবে মনৰ কিছুমান ভাব প্ৰকাশ কৰা যায় সঁচা; কিন্তু শব্দৰ দ্বাৰাই মনবো সকলো ভাব প্ৰকাশ কৰা সম্ভৱপৰ হৈছে আৰু অকল শব্দৰ দ্বাৰাই পদাৰ্থৰ সংজ্ঞা নিৰ্দ্দেশ কৰা যায়। শব্দৰ দ্বাৰাই সংসাৰৰ পদাৰ্থবোৰক বেলেগ বেলেগকৈ বুজিবলৈ সম্ভৱপৰ হৈছে। আদিতে অকল ধাতু, শব্দ আৰু অক্ষৰ আওভাওৰে ভাৱৰ সম্বন্ধজ্ঞাপক বিভক্তিৰ কাম কৰিছিল। পাছত আওভাওৰ ঠাইত ক্ৰমাং স্বৰাত্মক আৰু ব্যঞ্জনযুক্ত বিভক্তিৰ সৃষ্টি হৈ ভাষা লাহে লাহে চহকী হৈছে আৰু পূৰ্ণতা লাভ কৰিছে।

আমাৰ বাক্‌যন্ত্ৰ বাঁহীৰ নিচিনা। হাওঁকাঁৰ পৰা প্ৰশ্বাসৰ বতাহ মুখৰ ভিতৰলৈ আহোতে কণ্ঠনলীৰ ওচৰত থকা শিৰ চঙাল কঁপি উঠে আৰু এই কঁপনিত মুখৰ ভিতৰত বতাহৰ ঢৌ উঠে। সেই ঢৌবোৰ মুখৰ পৰা ওলাই আহি আমাৰ কাণত পৰিলে আমি ধ্বনি শুনো। বতাহৰ ঢৌবোৰ মুখৰ পৰা ওলাওঁতে ক'তো

বাধা নাপাই ওলালে ই স্বৰবৰ্ণৰ ধ্বনি উৎপাদন কৰে। মুখ মেলি স্বৰবৰ্ণৰ উচ্চাৰণ কৰা হয়। বাঁহীৰ ভিতৰৰ পৰা কোনো বাধা নাপাই যি ধ্বনি ওলায় সি স্বৰৰ ধ্বনি। এই ধ্বনিক যিমান সময় ইচ্ছা ৰাখিব পাৰি। উচ্চাৰণৰ সময় লৈ স্বৰবৰ্ণ তিনি প্ৰকাৰ—হ্ৰস্ব, দীৰ্ঘ আৰু প্লুত। দীৰ্ঘস্বৰ উচ্চাৰণ কৰোঁতে হ্ৰস্বস্বৰ উচ্চাৰণৰ দুগুণ সময় লাগে। কান্দিলে, গান গালে বা দূৰৈৰ মানুহক চিঞৰি মাতিলে প্লুত স্বৰৰ ব্যৱহাৰ হয়। ব্যাকৰণমতে যিবোৰ বৰ্ণ অইন বৰ্ণৰ সহায় নোলোৱাকৈ স্পষ্টৰূপে বেলেগে উচ্চাৰিত হয় সেইবোৰক স্বৰবৰ্ণ বোলে। স্বৰৰ ধ্বনি স্থায়ী আৰু মিঠা। স্বৰৰ ধ্বনি লৈয়ে সঙ্গীতৰ ৰাজ্য। মুখৰ ভিতৰটোৰ আকৃতি অনুসাৰে স্বৰৰ নানান ৰকম বিকাৰ হব পাৰে। কণ্ঠৰ পৰা ওলোৱা মূল ধ্বনিৰ লগত মুখৰ ভিতৰত আন আন ধ্বনি মিহলি হৈ মূল ধ্বনিৰ বিকাৰ কৰিব পাৰে। একে "আ" বিকৃত হৈ 'ঈ' বা 'উ'ত পৰিণত হব পাৰে।

বায়ু কণ্ঠনলী আৰু মুখৰ ভিতৰৰ পৰা ওলাবৰ সময়ত যদি কোনো ৰকমৰ বাধা পায়, সেই বাধাৰ লগে লগে ওলায় ব্যঞ্জনধ্বনি। বাধাটো আতৰি গলে যি ধ্বনি ওলায় সি স্বৰ। ব্যঞ্জন বৰ্ণৰ উচ্চাৰণ কৰোতে বাহিৰলৈ ওলাব খোজা বতাহক মুখৰ পৰা ওলাওঁতে হঠাৎ এঠাইত বাধা দিওঁ। কণ্ঠতন্ত্ৰী কপাই কণ্ঠনলীৰ পৰা বতাহ মুখৰ ভিতৰলৈ আহিব লাগিছে, এনে সময়ত হঠাৎ অলপ সময়ৰ কাৰণে জিবাৰ গোৰডোখৰ ওপৰলৈ তুলি কণ্ঠৰ দুৱাৰ বন্ধ কৰি দিলে ধ্বনি ওলাল "ক"—ই ব্যঞ্জন বৰ্ণ। জিবাৰ মূল স্পৰ্শ কৰোতে ইয়াৰ উৎপত্তি সেই কাৰণে ই জিহ্বামূলীয় স্পৰ্শবৰ্ণ। আৰু ওঠ দুটা লগ লগাই তাৰ ভিতৰেদি বলেৰে বতাহ উলিয়াই দিলে ওলাল "প"—ই ওষ্ঠ-স্পৰ্শবৰ্ণ। ব্যঞ্জনবৰ্ণৰ ভিতৰত যিবিলাকৰ উচ্চাৰণ কোমল তাক অল্পপ্ৰাণ বৰ্ণ বোলে। ব্যঞ্জন বৰ্ণৰ ধ্বনি কঠুৱা আৰু ক্ষন্তেকীয়া। ই ইমান ক্ষণস্থায়ী যে আগত বা পাছত স্বৰধ্বনি নাথাকিলে ইয়াৰ উচ্চাৰণ কৰা টান। স্বৰবৰ্ণৰ আশ্ৰয় নহলে ব্যঞ্জনবৰ্ণ সহজে বেলেগে ভালকৈ উচ্চাৰিত হব নোৱাৰে। মানুহৰ কণ্ঠৰ পৰা যি ব্যঞ্জন ধ্বনি ওলায় অইন ঠাইতো তেনেকুৱা ধ্বনি উপজিব পাৰে।

আৰ্য্যভাষাবিলাকৰ ভিতৰত সংস্কৃত ভাষাৰ বৰ্ণমালা যেনে বৈজ্ঞানিক প্ৰণালীৰে সজোৱা হৈছে অইন ভাষাৰ বৰ্ণমালা তেনেকৈ সজোৱা হোৱা নাই। আমাৰ প্ৰাদেশিক প্ৰাকৃত ভাষাবোৰত সংস্কৃত বা প্ৰাকৃত ভাষাৰ লিপি গ্ৰহণ কৰিলেও বৰ্ণবিলাকৰ পুৰণি উচ্চাৰণ ৰখা হোৱা নাই। "অ"কাৰৰ প্ৰকৃততে উচ্চাৰণ হ্ৰস্ব "আ"। এক মূল ভাষাই যেনেকৈ প্ৰদেশে প্ৰদেশে বেলেগ বেলেগ আকাৰ লৈছে তেনেকৈ বৰ্ণবিলাকৰ প্ৰকৃত উচ্চাৰণো ঠায়ে ঠায়ে হাৱাপানী লৈ বিকৃতাকাৰ ধাৰণ কৰিছে। সংস্কৃত ভাষাত যিবোৰ বৰ্ণ আছে প্ৰাদেশিক ভাষাবোৰত তাৰ সবহখিনি আছে। কোনো ভাষাত দুটা এটা কম আৰু কোনো কোনো ভাষাত দুটা এটা বেছিও আছে। লিখিত ভাষাত মূল বৰ্ণবিলাকৰ ব্যৱহাৰ হলেও কথিত ভাষাত সিবোৰৰ যথাযথ উচ্চাৰণ ৰখা হোৱা নাই। ই ভাষাৰ স্বাভাৱিক গতি। এনেকি প্ৰত্যেক মানুহৰে ভাষা বেলেগ বেলেগ। মানুহৰ সাধাৰণ প্ৰকৃতি অনুসাৰে আমি আমাৰ প্ৰাদেশিক ভাষাবোৰত পুৰণি সংস্কৃত বা প্ৰাকৃত শব্দবোৰকো উজুভাৱে উচ্চাৰণ কৰোঁ আৰু ইয়ে প্ৰাকৃত ভাষাবোৰৰ উৎপত্তিৰ এটা কাৰণ। আচলতে প্ৰত্যেক বৰ্ণৰ কেনেকৈ উচ্চাৰণ হব লাগে আমি তালৈ লক্ষ্য নকৰো। আমি যেনেকৈ উজু পাইছো তেনেকৈ উচ্চাৰণ কৰোঁ। আমাৰ প্ৰাদেশিক ঠাঁচত পেলাইছোঁ। সেই কাৰণে মাৰাঠী ভাষাত মূৰ্দ্ধ্য (ট, ণ) বৰ্ণৰ উচ্চাৰণ বেছি আৰু অসমীয়াত দন্ত্য (ত, ন) বৰ্ণৰ উচ্চাৰণ বেছি। প্ৰাকৃতিক নিয়ম অনুসাৰে উচ্চাৰণৰ এই ব্যতিক্ৰম হবই আৰু জীৱন্ত ভাষাৰ এই গতি ৰোধ কৰা টান। স্বাভাৱিক আৰু উজু ফাললৈহে ভাষা ঢাল খায়। একেটা মূল শব্দই উচ্চাৰণৰ ব্যতিক্ৰমত প্ৰাদেশিক ভাষাবোৰত এনে বেলেগ বেলেগ আকাৰ ধৰিছে যে ইহঁতৰ মূল একে বুলি ধৰা টান। এনেকি আমি স্বাভাৱিক মতে সংস্কৃত ভাষাৰে কথা কলেও কোনো কোনো ঠাইৰ মানুহে বুজি নাপাব যেনে—আমাৰ হিন্দী কথা পচিমৰ মানুহে বুজিবলৈ টান পায়। আমাৰ ইউৰোপীয় ভাষাৰ শব্দৰ উচ্চাৰণ বিকৃত হবৰ কথাই।

মুদ্ৰাযন্ত্ৰৰ ক্ৰমবিকাশ

—শ্ৰীযুত কমলৰাম বৰুৱা

আগৰ কালত মানুহে কিতাপপত্ৰ হাতেৰে লিখিছিল। কিন্তু হাতেৰে লিখি একোখন ডাঙৰ পুথি উলিৱা সহজ কথা নাছিল। গতিকে সেই কালত পুথিৰ সংখ্যা নিচেই তাকৰ আছিল আৰু খুব কম সংখ্যক মানুহে হে এই পুথিবোৰ পঢ়িবলৈ পাইছিল। তেতিয়া লেখাপঢ়া কামটো সৰ্ব্বসাধাৰণৰ পক্ষে নাছিল আৰু সৰ্ব্বসাধাৰণে সেই কামৰ ভাগো নাপাইছিল। সেই কালত য়ুৰোপৰ দেশবোৰ আজিকালিৰ নিচিনা উন্নত নাছিল। য়ুৰোপত গ্ৰীছ আৰু ৰোম সভ্যতাই পুৰণি সভ্যতা। পৃথিবীৰ ভিতৰত ভাৰত, ঈজিপ্ট আৰু চীনৰ সভ্যতাকে অতি পুৰণি সভ্যতা বুলি ধৰা যায়। এই সভ্যদেশ বিলাকত যদিও পুথি লিখাৰ প্ৰচলন আছিল তথাপিও বেছি ভাগ মানুহেই সেই সময়ৰ লিখিত পুথি পঢ়িবলৈ সুযোগ নাপাইছিল। ছপাকল আবিষ্কাৰ হোৱাৰ আগতে শিক্ষা, ধৰ্ম্ম আদি প্ৰচাৰ কাৰ্য্যত বৰ আহুকাল আছিল। সেই সময়ত শিলৰ ফলিত নাইবা গছৰ বাকলিত ধৰ্ম্মবাণী লিখি প্ৰচাৰ কৰা হৈছিল। তেনে ধৰণৰ ফলিৰ সংখ্যা আমাৰ দেশত বিৰল নহয়। আমাৰ নানা দেৱদেৱীৰ মন্দিৰ আৰু অশোক ৰজাৰ দিনৰ স্তম্ভবিলাকে আজিকালিও আগৰ সেই পুৰণিকলীয়া সভ্যতাৰ ধৰ্ম্মবাণী লৈ অতীতৰ সভ্যতাৰ গৰিমা প্ৰচাৰ কৰিছে। আমাৰ দেশৰ মানুহে ছপাযন্ত্ৰ ওলোৱাৰ আগতে সভ্যতাৰ জখলাৰ উচ্চ সোপানত ভৰি দিবলৈ সক্ষম হৈছিল। কিন্তু সেই কালত য়ুৰোপৰ অৱস্থা বিপৰীত আছিল। তেওঁলোক অজ্ঞান অন্ধকাৰত পৰি আছিল। সেই সময়ৰ ইংলণ্ড নাইবা ফ্ৰান্স দেশৰ জমিদাৰসকলে নিজৰ নামটিও চহী কৰিব নাজানিছিল। লেখাপঢ়া কামটি তেওঁলোকে হীন কাম বুলি ঘৃণাৰ চকুৰে চাইছিল। সেই সময়ত গোটেই য়ুৰোপ মহাদেশখনতে ৰোম আৰু গ্ৰীছৰ বাহিৰে আজিকালিৰ সৰু লাইব্ৰেৰী এটাৰ জোখাৰে পুথিও নাছিল। সেই সময়ত যদিও অ'ত-ত'ত দুই এখন পুথি আছিল, সেইবিলাক পুথি উচ্চ শ্ৰেণীৰ নাছিল; তাত আছিল কিছুমান কুসংস্কাৰ-মূলক কথা। বুৰঞ্জীত সেই যুগটোক কুসংস্কাৰৰ যুগ বুলিব পাৰি।

কিন্তু আচৰিত কথা যে এই জ্ঞানপোহৰ নোপোৱা মহাদেশখনতে প্ৰথমে ছপাযন্ত্ৰ ওলায়। ছপাখানাৰ যুগ পোনতে আৰম্ভ হয় য়ুৰোপতে। ছপাযন্ত্ৰক জাৰ্ম্মানিৰ এক-চেটীয়া সম্পদ বুলিব পাৰি। এই যন্ত্ৰ পোনতে জাৰ্ম্মানি দেশৰ মেইন্‌জ্ চহৰৰ জন গটেনবাৰ্গ নামেৰে মানুহ এজনে আবিষ্কাৰ কৰে। তেওঁৰ জন্মৰ বিষয় সঠিককৈ জনা নাযায়। এই মহাপুৰুষজনে প্ৰায় ১৪১০ চনত জন্ম গ্ৰহণ কৰিছিল বুলি অনুমান কৰা হয়। তেওঁৰ বিষয় আৰু লৰালি কালৰ বিষয়ে আন একো বিশেষ জনা সম্ভৱ নহয়। গটেনবাৰ্গৰ আগতে যে এই ছপাকলৰ বিষয়ে কাৰ মগজুত খেলাইছিল তাক কোৱা টান। যি হ'ক, গটেনবাৰ্গৰ দিনৰ পৰা ছপাযন্ত্ৰৰ যুগ আৰম্ভ হয়। এই ছপা যন্ত্ৰৰ বিষয়ে অনেক লোকে ভাবি ভাবি মূৰ ঘমাইছিল। এই অমূল্য যন্ত্ৰটোৰ আবিষ্কাৰত জ্ঞানবুৰঞ্জীত এটি নতুন বিপ্লৱ আৰম্ভ হ'ল। মুদ্ৰাযন্ত্ৰৰ আবিষ্কাৰৰ লগে লগে মানুহৰ মগজুত নানা নতুন ভাব উপজিল। সকলোৱে বুজিলে যে এই নতুন আবিষ্কাৰে এটি বৰ ডাঙৰ অভাৱ পূৰণ কৰিলে। আৰু এতিয়া মানুহে কম পৰিশ্ৰম কৰিয়েই আগতকৈ বহুত বেছি পৰিমাণে শিক্ষা প্ৰচাৰ কৰিব পাৰিব। ছপাযন্ত্ৰ ওলাল হয়, কিন্তু সি আজিকালিৰ ধৰণৰ ছপাযন্ত্ৰৰ দৰে নাছিল। সেই কালত কাঠৰ ডোখৰত আখৰ কাটি তাকে চিয়াঁহীৰে বোলাই ছবি ছপা

কৰা হৈছিল। এই কাঠৰ ডোখৰত কাটি ছপা কৰা উপায় কেৱল ছবি ছপা কৰা কামত হে প্ৰয়োগ কৰা হৈছিল। তাৰ দ্বাৰা কিতাপ ছপা হোৱা নাছিল। এই উপায়েৰে কিতাপ ছপা কৰা বৰ বেমেজালিৰ কাম, তাৰ উপৰিও তাৰে কিতাপ ছপাব লাগিলে কিতাপৰ



সমমাজত পি হৈ—জন গটেনবাৰ্গ
ওপৰৰ শাৰী-সোঁফালৰপৰা—ফ্ৰেডেৰিক কং, ৰিচাৰ্ড মাৰ্চ হো
মাজৰ " " মেগেন্থালাৰ, উইলিয়ম কেক্সটন
তলৰ " " এল্ডো মেনুজিও, জন ফাষ্ট

প্ৰত্যেক বেলেগ বেলেগ কামৰ কাৰণে বেলেগ বেলেগ আখৰৰ দৰ্কাৰ আৰু আখৰৰো সংখ্যা কম নালাগিব। কিতাপ ছপাবলৈ হলে আখৰ বিলাক লৰচৰ কৰিব পৰা হব লাগে, যাতে এটা পাত ছপা হোৱাৰ পিছত আকৌ সেই বিলাক আখৰ আন পাত ছপা হোৱা কামত খটাব পাৰি। এই কামটি জাৰ্ম্মান আবিষ্কাৰক গটেনবাৰ্গৰ দ্বাৰা সমাধা হ'ল।

তেওঁৰ বাপেক সম্ভ্ৰান্তবংশীয় মানুহ আছিল। গটেনবাৰ্গৰ পিতাকৰ নাম আছিল গান্সফ্লেজ। কিন্তু তেওঁ মাকৰ নাম অনুযায়ীহে নিজৰ নাম লৈছিল। কাৰণ তেওঁৰ মাকেই মাকৰ বংশৰ শেষ সন্তান আছিল। ছপাযন্ত্ৰৰ ভবিষ্যৎ আবিষ্কাৰকৰ বয়স যেতিয়া মাত্ৰ দহ বছৰ, তেতিয়া মাকবাপেকে নিজৰ বাসস্থান এৰি পলাই যাবলৈ বাধ্য হৈছিল। সেই সময়ত মেইনজ নগৰত ধনী আৰু দুখীয়াৰ মাজত এখন ডাঙৰ বিবাদ হয়। তেওঁৰ বাপেক এজন সম্পদশালী আৰু ধনী মানুহ আছিল; গতিকে তেওঁ সেই ঠাই পৰিত্যাগ কৰিব লগাত পৰিছিল। পলাই গৈ জাৰ্ম্মানি দেশৰে ষ্ট্ৰেছবাৰ্গ নামে চহৰ এখনত আশ্ৰয় লৈছিল আৰু সেই চহৰতে গটেনবাৰ্গ ডাঙৰ দীঘল হয়। গটেনবাৰ্গ সৰুৰে পৰা গম্ভীৰ, চিন্তাশীল আৰু ওখ মনৰ ল'ৰা আছিল। তেওঁৰ ১৫ বছৰ বয়স হওঁ-নৌহওঁতেই তেওঁ শিল নিমজ কৰা আৰু আৰ্চ্চী কৰা কামত হাত দিছিল। সেই কামত তেওঁৰ বহুত টকাৰ দৰ্কাৰ হৈছিল। যদিও ধনী মানুহৰ ল'ৰা আছিল তথাপি দেশ এৰিব লগাত অৱস্থা কিছু পৰিমাণে বেয়া হৈছিল আৰু তেওঁৰ হাতত যি টকা আছিল সেইখিনি টকাৰে সেই ব্যৱসায় চলাবলৈ যথেষ্ট নহয়, গতিকে তেওঁ আনৰ পৰা ধাৰ কৰিবলৈ বাধ্য হৈছিল। ড্ৰিট্‌জেন নামেৰে মানুহ এজনে তেওঁৰ অংশীদাৰ হিচাপে সেই ব্যৱসায়ত যোগ দিয়েহি। এই আৰ্চি তৈয়াৰ কৰা আৰু শিল নিমজ কৰা ব্যৱসায়টো প্ৰায় ১২ বছৰ গটেনবাৰ্গে সুখ্যাতিৰে চলায়। কিন্তু কপালৰ ফেৰ কোনে বুজে! ঘটনাচক্ৰত তেওঁ সেই কামৰ পৰা আঁতৰ হব লগাত পৰে। এবাৰ খৃষ্টিয়ানবিলাকৰ তীৰ্থস্থান এই-লা-চপেলি বোলা ঠাই দৰ্শন কৰিবৰ মন কৰি তেওঁ বহুত আৰ্চি তৈয়াৰ কৰিলে, কিন্তু কোনো কাৰণবশতঃ সেই যাত্ৰা স্থগিত ৰাখিব লগাত পৰে। আৰু এই যাত্ৰা বন্ধ হোৱাৰ কৰণে ভালেমান আৰ্চি তেওঁলোকৰ কাৰখানাত বিক্ৰী নোহোৱাকৈ ৰৈ যায় আৰু সেই বাবে সেই ব্যৱসায় এৰিবলৈ তেওঁ বাধ্য হয়।

তাৰ পিছত গটেনবাৰ্গে ছপাকলৰ কামত হাত দিয়ে। তেওঁ আৰু দুজন মানুহে গোট খাই ছপাখানাৰ কাম আৰম্ভ কৰে। তেওঁৰ এই নতুন ব্যৱসায়ত তেওঁৰ পুৰণি বন্ধু ড্ৰিন্‌টেজো আছিল। তেওঁলোকে ছপাকাৰ্য্যত কাঠৰ ডোখৰত কটা আখৰ ব্যৱহাৰ কৰিছিল কিন্তু সেই আখৰ বিলাক লৰচৰ কৰিব পৰা হোৱা নাছিল। লৰচৰ কৰিব পৰা আখৰৰ বিষয়ে তেতিয়াও কাৰো মনত কোনো ধাৰণা ওপজা নাছিল। এনে সময়তে ছপাকাৰ্য্যৰ ব্যৱসায়ৰ অংশীদাৰ ড্ৰিনটেজৰ মৃত্যু ঘটে। এই ঘটনাৰ পিছত তেওঁৰ বাকী অংশীদাৰ কেইজনে এই ব্যৱসায় বেছ লাভজনক বিষয় হব বুলি আশা কৰিছিল। কিন্তু ড্ৰিনটেজৰ ভায়েক এজনে তেওঁৰ অংশটোৰ কাৰণে গটেনবাৰ্গৰ বিৰুদ্ধে মোকৰ্দ্দমা কৰে, সেই মোকৰ্দ্দমাত গটেনবাৰ্গৰ জয় হয়।

তাৰ পিছত তেওঁ ছপাযন্ত্ৰৰ কামৰ কাৰণে কিছু টকা ধাৰ কৰে আৰু সেই বিষয়ে নানা কৌশল পৰীক্ষা কৰি চায়, কিন্তু সেই কামত সম্পূৰ্ণৰূপে কৃতকাৰ্য্য নৌহওঁতেই তেওঁৰ আকৌ টকাৰ নাটনি পৰে আৰু তেওঁ ছপাযন্ত্ৰৰ গুপ্ত ৰহস্যখিনি জগতৰ আগত উলিয়াই দিব পৰা অৱস্থা পাওঁতেই তেওঁ ষ্ট্ৰেছবাৰ্গ এৰি আকৌ তেওঁৰ জন্ম ঠাই মেইন্‌জলৈ আহে। ইয়ালৈ আহি তেওঁ ছপাখানাৰ কাম ভালদৰে আৰম্ভ কৰে। সেই কামত সেই ঠাইৰে জন ফাষ্ট নামে সদাগৰ এজনে তেওঁক কিছু টকা ধাৰ দিয়ে আৰু তেওঁৰ ছপাযন্ত্ৰৰ সকলো সৰঞ্জামবিলাক সেই টকাত বন্ধক ৰাখে। ২৬ বছৰৰ পিছত গটেনবাৰ্গ তেওঁৰ জন্মঠাইলৈ ঘূৰি আহিছিল। নতুনকৈ ধাৰ কৰা টকাৰে তেওঁ ছপাযন্ত্ৰৰ সকলো লাগতিয়াল আহিলাপাতি কিনি লৈছিল। এতিয়া তেওঁ আখৰবোৰ ভগাব পৰাকৈ সজাত কৃতকাৰ্য্য হ'ল। তেওঁক ছপাকাৰ্য্যৰ নিমিত্তে যিমান আখৰ দৰ্কাৰ হৈছিল সেই পৰিমাণে কাঠৰ আখৰ তৈয়াৰ কৰি লৈছিল।

কিন্তু যদিও আগতকৈ আখৰৰ অলপ উন্নতি হ'ল, তথাপি এখন পুথি ছপা কৰিবলৈ যথেষ্ট সময়ৰ দৰ্কাৰ। সেই নিমিত্তে তেতিয়াও ছপাকাৰ্য্য বিশেষ লাভজনক নাছিল। আৰু এটা কাৰণ হৈছে, কাঠৰ আখৰ বিলাক সোনকালে ক্ষয় যায়। কিছুদিনৰ পিছত তেওঁ আখৰ তৈয়াৰ কৰিবৰ কাৰণে স্কফাৰ নামে এবিধ ধাতু কিনি লয়। এই ধাতুৰ আখৰ আবিষ্কাৰৰ লগে লগে তেওঁ ছপা কামত লাহে লাহে উন্নতি সাধিবলৈ ধৰিলে। প্ৰথমে গটেনবাৰ্গে বাইবেল গ্ৰন্থখন ছপা কৰিম বুলি মনস্থ কৰিলে। তেওঁৰ সেই গুৰুতৰ কাম সমাধা কৰিবলৈ ভালেখিনি সময় আৰু খৰচো সেই পৰিমাণে লাগিছিল। সকলো সজুলি তেওঁ নিজেই গোটাই লব লগা হোৱাত তেওঁ বহুত কষ্ট কৰিব লগা হৈছিল। শেষত ১৪৫৫ চনত তেওঁ বাইবেলখন লেটিন ভাষাত দুখণ্ডত ছপা কৰি উলিয়ায়। এতিয়া ছপাযন্ত্ৰৰ আবিষ্কাৰকৰ সকলো যত্ন পৰিশ্ৰম সাৰ্থক হ'ল কিন্তু বৰ দুখৰ বিষয় যে এই সময়তে গটেনবাৰ্গ আৰু তেওঁক টকা দিয়া সদাগৰজনৰ ভিতৰত কন্দল হয়। সদাগৰজনে এইটো বেছকৈ বুজিছিল যে গটেনবাৰ্গে সেই সময়ত তেওঁক টকা পৰিশোধ কৰিব নোৱাৰে আৰু সেই সুযোগতে সদাগৰে ছপাকলটিকে হাত কৰিবৰ অৰ্থে



উন্নতিৰ ভৰ-দুপৰত টকা দিয়া সাউৰজনৰ হাতত গটেনবাৰ্গৰ জুকলি জুপুৰি অৱস্থা

পাব লগীয়া টকাৰ দাবী কৰে। আইন মতে অৱশ্যে গটেনবাৰ্গে সদাগৰক টকা দিবলৈ বাধ্য, কিন্তু সদাগৰে

এনে নিচুৰ আচৰণ তেওঁৰ প্ৰতি কৰা উচিত নাছিল। সদাগৰে ছপাযন্ত্ৰৰ গোড় সামৰিব নোৱাৰি টকাৰ দাবী কৰি বয় কাঢ়ি ললে।

যি গটেনবার্গে তেওঁৰ জীৱনৰ বেছি ভাগ সময় ছপা যন্ত্ৰ আবিষ্কাৰ কৰাত খটাইছিল আৰু সেই কামতে তেওঁ তেওঁৰ সকলো সম্পত্তি ধ্বংস কৰিলে, এই নিচুৰ সদাগৰৰ



১৮১১ খৃঃত কঙে আবিষ্কাৰ কৰা পোন-প্ৰথম ছপাকল। ইয়াৰে ঘণ্টাত ১৫০০কৈ ছপাৰ পাৰিছিল

কাৰণেই তেওঁ তাৰ শেহ ফল ভোগ কৰিব নাপালে। ছপাযন্ত্ৰই তেওঁক জুকলা জুপুৰা কৰিলে আৰু তেওঁৰ জীৱনৰ শেষকালত মনত মৰ্ম্মান্তিক বেজাৰ দিলে। এই মহাপুৰুষজনে ১৪৬৮ চনত ইহ সংসাৰ এৰি যায়। গোটেনবার্গ মৰিল সঁচা কিন্তু তেওঁৰ এই অমূল্য সম্পদে জগতক জ্ঞানৰ বাটত বাগৰাফিৰিলে এটি নতুন বাট দেখুৱাই দি গ'ল। তেওঁৰ মৃত্যুৰ প্ৰায় ৪০০ বছৰৰ পিছত মেইনজ নগৰত তাৰ নগৰবাসীসকলে তেওঁৰ এটি স্মৃতি-স্তম্ভ প্ৰতিষ্ঠা কৰে। সেই স্মৃতি-স্তম্ভই আজিও তেওঁৰ গুণ-গৰিমা প্ৰচাৰ কৰিব লাগিছে। গটেনবার্গৰ বাইবেল প্ৰথমে ছপা হৈ ওলোৱাৰ ১৬ বছৰৰ ভিতৰতে জার্ম্মানী দেশৰ নানা চহৰত ছবি ছপা কৰা কাম আৰম্ভ হল। ষ্ট্ৰেছবার্গ, কলোন, ৰোম, ভেনেচ্চ, নেপল্‌ছ, বোলোন আৰু মিলান আদি ঠাইত ছপাযন্ত্ৰ প্ৰতিষ্ঠিত হ'ল।

১৪৭৭ চনত হে ইংলণ্ডত প্ৰথমে ছপা কিতাপ ওলায়। এই চনটো ইংলণ্ডৰ চিৰস্মৰণীয় দিন। সেই সময়ৰ পৰা ইংলণ্ড জ্ঞানৰ উৎকৰ্ষ কামত ব্যস্ত হল। তাৰ আগেয়ে ইংলণ্ডত ইংৰাজী ভাষাৰ প্ৰচলন নাছিল। সেই সময়ত ইংলণ্ডত সকলো লিখাপঢ়া কাম ফৰাঞ্চী ভাষাতহে চলিছিল। ইংলণ্ডলৈ ছপাযন্ত্ৰ আনে উইলিয়াম কেক্সটনে। তেওঁ কেণ্ট নগৰৰ মানুহ আছিল, আৰু গটেনবার্গতকৈ বয়সে ১৫ বছৰৰ সৰু।

সেই কালত শিক্ষাৰ বিস্তাৰ আৰু আজি নথকা গতিকে মাক বাপেকে লৰাক পঢ়াশালিলৈ নপঠিয়াইছিল। কিন্তু কেক্সটনৰ মাকবাপেক হলে ওলোটা ধৰণৰ আছিল। তেওঁ মাকবাপেকৰ পৰা পাবলগীয়া শিক্ষা গোটেই খিনিয়েই পাইছিল। তেওঁ শিক্ষা সাং কৰি বেচৰ ব্যৱসায় কৰা ধনী সদাগৰ এজনৰ তলত কামত সোমায়। সেই সদাগৰজন শেষত লণ্ডনৰ লর্ডমেয়ৰ হয়। তেওঁ কেক্সটনক বৰ মৰম আৰু আদৰ কৰিছিল। সেই সদাগৰজনে তেওঁৰ মৃত্যুৰ পিছত তেওঁক ভালেমান টকা দান কৰি যায়। সেই সময়ত কেক্সটনৰ বয়স ১৪ বছৰ মাথোন। তেওঁ বৰ পৰিশ্ৰমী আৰু উৎসাহী আছিল; গতিকে অলপ সময়ৰ ভিতৰতে বেপাৰত উন্নতি কৰিব পাৰিছিল। তেওঁ জীৱনৰ বেছিভাগ সময় বিদেশতে কটাৰ লগা হৈছিল আৰু নানা ভাষা শিকিবলৈ সুযোগ পাইছিল, আৰু তেওঁ সেই সুযোগ কামত নথটোৱাকৈ বহি নাছিল।

সেই সময়ত ছপাযন্ত্ৰ য়ুৰোপৰ প্ৰায় দেশতে বিয়পি পৰিছে। ছপাযন্ত্ৰ চাৰিওফালে বিয়পি পৰাৰ কাৰণ আৰু এটা হল। ঘটনাক্ৰমে মেইনজ নগৰ ১৪৬২ খৃঃত জুৱে পুৰি ছাৰখাৰ কৰিলে। ছপাযন্ত্ৰৰ সেই সময়ত যাই ঠাই আছিল মেইনজ্‌ আৰু তাতে গটেনবার্গে ছপাকাৰখানা প্ৰথমে প্ৰতিষ্ঠা কৰে। জুৱে সেই নগৰ ধ্বংস কৰাৰ লগে লগে তাত থকা ছপাকাৰখানাও ধ্বংস হ'ল। সেই যন্ত্ৰত কাম কৰা কৰ্ম্মচাৰী বিলাক ছাপাযন্ত্ৰৰ জ্ঞান লৈ য়ুৰোপৰ নানা

দেশত বিয়পি পৰিল। প্ৰথমে আবিষ্কাৰ কৰা ছপাযন্ত্ৰত ছপা হোৱা কেইখনমান কিতাপ কেক্সটনৰ হাতত পৰিল। এই কিতাপ কেইখনে তেওঁৰ মন ছপাযন্ত্ৰৰ পিনে ঘুৰালে। তেওঁ ট্ৰয় নগৰৰ বুৰঞ্জীখন ইংৰাজীলৈ অনুবাদ কৰিলে।



ৰেষ্ট মিনিষ্টাৰৰ ছপাখানাত দেখা কৰিবলৈ অহাই কেক্সটনক মাটি পাওঁহেঁ

এই কাম হাতত লোৱা সময়ত তেওঁৰ বয়স ৫০ বছৰ। অনুবাদ কৰা শেষ হলত তেওঁ কোনো নথবত এই পুথি খন প্ৰায় ১৪৭৪ চনত ছপা কৰি উলিয়ায়। এই পুথিখন কেক্সটনে নিজে ছপা কৰি উলিয়াইছিল নে, সেই কাম আন মানুহক কৰিবলৈ দিছিল সেই বিষয়ে সঠিককৈ জনা নাযায়। আমি এইখিনিকে জানিব পাৰোঁ যে কোলোন নগৰৰ বিখ্যাত লিখক আৰু মুদ্ৰাকৰ কলার্ড মেল্সনৰ লগত তেওঁৰ বন্ধুত্ব আছিল।

কেক্সটনে ১৪৭৬ চনত ইংলণ্ডলৈ প্ৰথমে ছপাযন্ত্ৰ আনে। তেওঁ ছপা কাৰ্য্যালয় ৰেষ্টমিনিষ্টাৰত পাতে আৰু সেই কামত নেবানেপেৰাকৈ চেষ্টা কৰি নানা সৰু গল্পৰ কিতাপ, পুস্তিকা, চচাৰৰ (Chaucer) কাব্য আৰু ধৰ্ম্ম বিষয়ক বাইবেলকে আদি কৰি বহুত কিতাপ ছপা কৰি ইংৰাজ সমাজৰ অসীম উন্নতি সাধে। আজিকালিও বিলাতত ছাপকৈ বিচাৰিলে তেওঁৰ ১০০ মান পুথি পোৱা যাব।

তেওঁৰ বহুত কিতাপ তেওঁৰ মৃত্যুৰ পিছত আন কিতাপৰ চামবা বন্ধা কামত লগালে আৰু কিছুমান উই আৰু এন্দুৰে নষ্ট কৰিলে, আৰু কিছুমান কিতাপ আজিকালি প্ৰায় দুহেজাৰ পাউণ্ড মূল্যত বিক্ৰী হ'ল। তেওঁক ছপা কামত সাহায্য কৰিছিল ৰিচিন-ডি-ৱার্ড নামে মানুহ এজনে। তেওঁ বেলজিয়াম দেশৰ মানুহ আৰু কেক্সটনৰ লগত তেওঁ বিলাতলৈ আহিছিল। এই বেলজিয়াম দেশীয় মুদ্ৰাকৰ জনেই কেক্সটনৰ মৃত্যুৰ পিছত তেওঁৰ মুদ্ৰাযন্ত্ৰৰ উত্তৰাধিকাৰী হয়। তেওঁ তেওঁৰ শিক্ষাগুৰুৰ কাম হাতত লৈ সুচাৰুৰূপে কার্য্য চলায় আৰু ছপাকলবোৰ আৰৰ বিলাকৰ আগতকৈ উন্নতি কৰে আৰু ইংৰাজী ভাষাত প্ৰায় ৪০০ মান কিতাপ ছপা কৰি উলিয়ায়। কেক্সটনৰ মৃত্যুৰ আগবে পৰা ইংলণ্ডত ছপাযন্ত্ৰই বেছ উন্নতি কৰিছিল। অক্সফোৰ্ডত টমাছ কড নামে ইংৰাজ এজনে এটা ছপাযন্ত্ৰ বহুৱায়; আৰু আন এটা ছপাযন্ত্ৰ এলবাস্তোত প্ৰতিষ্ঠিত হয়। লিটো নামে এজন মানুহে লণ্ডনত এটা ছপাযন্ত্ৰ বহুৱায়। কিন্তু কেম্ব্ৰিজলৈ ছপাযন্ত্ৰ প্ৰায় অক্সফোৰ্ডতকৈ ৪০ বছৰ পিছত হে আহে। স্কটলণ্ডলৈ ছপাযন্ত্ৰ প্ৰথমে ১৫০৭ চনত যায়। ওৱাল্টাৰ চিপ্‌ আৰু এণ্ড্ৰু মাইলাৰ নামে দুজন মানুহে প্ৰথমে স্কটলণ্ডত তাৰ বজাৰ অনুমতি লৈ ছপাকল প্ৰতিষ্ঠা কৰে।

ছপাকার্য্যালয় ষোড়শ শতিকাত গোটেই ইউৰোপতে টনকিয়াল হিচাপে প্ৰতিষ্ঠিত হয়। ছপাযন্ত্ৰ প্ৰথমে আমেৰিকালৈ আমদানি হয় ১৫৩৬ চনত। আমেৰিকাৰ মেক্সিকো দেশলৈ স্পেনৰ মানুহ এজনে প্ৰথমে মুদ্ৰাযন্ত্ৰ নিয়ে, আৰু বোৱকোঁ আমেৰিকাৰ ফালে অগ্ৰসৰ হোৱা দেশ বিলাকে ছপাখানা দেখা সেয়ে প্ৰথম। ১৮৩৮ চনত আমেৰিকাত প্ৰথমে ইংৰাজী পুথি এখন ছপা হৈ ওলায়। পুথিখন হার্ভার্ড কলেজৰ পৰা ছপা হৈ ওলায়। এই কলেজটো হার্ভার্ড নামে ইংৰাজ এজনে প্ৰতিষ্ঠা কৰে, বৰ্ত্তমান সেই কলেজ হার্ভার্ড ইউনিভাৰচিটিত পৰিণত হৈছে।

এজনে এটা নতুন বস্তু তৈয়াৰ কৰি আগতে উলিয়াই দিলে সেই বস্তুটো পুনৰ গঢ়িবলৈ সহজ হৈ পৰে। সেই

দরে ছাপাঘরগো আখর নাইবা তার আন আন অঙ্গবোর মানুহর চেষ্টাত লাহে লাহে উন্নত হবলৈ ধরিলে। ছপা খানার শিত্ত অরস্থাত আখর বিলাক স্পষ্ট হৈ নুঠিছিল। কিন্তু ক্রিক্সি ডি-রার্ডর দিনর পরা আখর বিলাক উন্নত হবলৈ ধরে। তেওঁর পিছত বিচার্ড পাইছন নামে আন এজন মুদ্রাকরে ছপা আখরর ভালেখিনি উন্নতি সাধে। এই মুদ্রাকরজনক কেক্সটনে লণ্ডনলৈ আনিছিল আরু



আধুনিক ছপাকল—ইয়াবে এণ্টাত ১,২০,০০০ বাতরি কাকত ছপাব পারি

তেওঁ ইংলণ্ডত বজার মুদ্রাকর হিচাপে আছিল। এওঁ ছপাযন্ত্রর বহুত নতুন নতুন তত্ত্ব উলিয়ায় আরু 'রোমান টাইপ' আখর এরেই প্রথমে আবিষ্কার করে।

আরু এজন ইউরোপর নামজলা মুদ্রাকর হ'ল ইটালি দেশর ভেনিচ নগরত এল্ডো মেনুজিও। তেওঁ ১৪৪৬ চনত ভেনিচ নগরত জন্ম গ্রহণ করে। তেওঁ প্রথমে ইটালিক টাইপ নামে এবিধ আখর উলিয়ায়।

ছপাযন্ত্রর উন্নতির লগে লগে ইউরোপর লোকসকলর জ্ঞান-চকু মেল খালে। তেওঁলোক দিনে দিনে জ্ঞানরাজ্যত আগ বাঢ়িবলৈ ধরিলে। ছপাযন্ত্র আবিষ্কার হোৱার আগতে ইউরোপীয় সকল অজ্ঞান আন্ধাৰত পরি আছিল, কিন্তু মুদ্রাযন্ত্রর আবিষ্কারর লগে লগে জ্ঞানজ্যোতি গোটেই ইউরোপতে বিয়পি পরিল আরু তেওঁলোকে উন্নতির বাটত আগবাঢ়িবলৈ ধরিলে। ছপা কিতাপর সংখ্যার লগে লগে লেখাপঢ়া জনা মানুহর সংখ্যা ক্রমে বাঢ়িবলৈ ধরিলে।

ইংলণ্ডত শিক্ষিতর সংখ্যা ক্রমান্বয়ে বঢ়া দেখি ইংলণ্ডর গৱর্ণমেণ্টর মনত শঙ্কা উপজিল, তার গৱর্ণমেণ্টে ১৫৩০ চনত প্রেছ আইন এখন উলিয়ালে। সেই আইন মতে গৱর্ণমেণ্টর বিনা অনুমতিত কোনোৱে কোনো পুথি নাইবা পুস্তিকা ছপার নোৱাৰিব। যেয়ে এই আইন ভঙ্গ করিব সেইজনর আইনমতে শাস্তি হব। এই কঠোর আইন ইংলণ্ডত প্রায় ১৫০ বছর চলিছিল। এই কঠোর আইনর পীড়নত ছপাখানা আরু শিক্ষা ধ্বংসর বাটত আগবাঢ়িছিল। সেই আইন হোৱার আগতে ছপোৱা বাইবেল এখন খানাতল্লাচ করি উলিয়াই ষ্টেণ্টগ গির্জ্জার বাহিরত পুৰি পেলোৱা হৈছিল। মুদ্রাকর সকলে ছপা কামর কারণে নানা শাস্তি ভুঞ্জিব লগাত পরিছিল। ১৬৬৯ চনলৈকে এই নিষ্ঠুর ব্যৱস্থার মুদ্রাকর সকলর ওপরতেই পরা নাছিল। বাতরি-কাকতর ওপরতো গধুর কর বোজা পরিছিল, সেই গতিকে বাতরি-কাকত সুবিধা বরকে চলাব নোৱাৰিছিল। মুদ্রাযন্ত্র আরু বাতরি-কাকতর ওপরত কর বহুরা হল অর্থাৎ জ্ঞানর ওপরত খাজনা লগোৱা হল। ঘেতিয়ালৈকে এই কঠোর আইন প্রচলিত আছিল তেতিয়ালৈকে ইংলণ্ডই জ্ঞান আরু শিক্ষার বাটত বিশেষ আগবাঢ়ির পরা নাছিল। এই অমানুষিক আইনত ইংলণ্ডত ছপাযন্ত্রই উন্নতি করিব পরা নাছিল, এই কঠোর আইনউ

যোৱার লগে লগে হে আকৌ ছপাযন্ত্র আরু শিক্ষাই উন্নতি সাধিবলৈ ধরে। সময়র লগে লগে ছপাযন্ত্রয়ো বহু উন্নতি করিবলৈ ধরিলে। এতিয়া ছপাযন্ত্রর আখর বিলাক আগতকৈ বহুত উন্নত হল।

১৭৭৪ চনত আকৌ ছপাযন্ত্রত এটি নতুন বিপ্লর আৰম্ভ হল। এই চনতে ভাঁপর দ্বারা চলোৱা মুদ্রাযন্ত্র জার্ম্মানিত ফ্রেডারিক কং নামে জার্ম্মান এজনে আবিষ্কার করে। তেওঁ ছপাকার্য্য এতিয়া নতুন উপায়েরে করিবলৈ ধরিলে। সেই ভাঁপর দ্বারা মুদ্রাযন্ত্র চলার পরা হল। মুদ্রাযন্ত্রর বেগ আগতকৈ বহুত পরিমাণে বেছি হল আরু পুথি নাইবা কিতাপ অতি অল্প সময়র ভিতরতে ছপার পরা হল। ফ্রেডারিকে এই নতুন ধরণর যন্ত্র আবিষ্কার করি জগতত কৃতিৎ লাভ করিলে আরু এটা বর ডাঙর অভার পুরালে।

বর্ত্তমান যুগত মুদ্রাযন্ত্রর নানা উন্নতি হবলৈ ধরিছে আরু আগতকৈ নানা প্রকারর ভাল ভাল যন্ত্র আবিষ্কার হব লাগিছে। আজিকালির বিজুলী যন্ত্রই সকলো মুদ্রাযন্ত্রতকৈ অতি কম সময়র ভিতরত বহুত বেছি পরিমাণে পুথি নাইবা পুস্তিকা বা বাতরি-কাকত আদি ছপার পারে। বর্ত্তমান যুগর উচ্চ ধরণর যন্ত্র এটাই ঘণ্টাত ১,২০,০০০ বাতরি কাকত ছপার পারে।

ছপাযন্ত্রবিলাকর ভিতরত লিনোটাইপর যন্ত্রই বিখ্যাত। ইয়ার বেগ বর খর আরু ছপাকাম কম খরচতে করিব পারি। এই যন্ত্রর আবিষ্কারক হল ষ্টমার মেগেন্থলার নামে জার্ম্মানিদেশর শিল্পী এজন। এই যন্ত্রত সাধারণ যন্ত্রর নিচিনা সীহেরে তৈয়ারি আখর মানুহে বহুরাই ঠিকঠাক



কবি দিব নালাগে। ইয়ার আখর বহুরাব প্রণালী প্রায় টাইপ বাইটারর ধরণর। এটা সাজত সীহ গলাই বাখে আরু যি আখরটো বহুরাবর দরকার সেই আখরটো তার টাইপবাইটারর দরে বোর্ডত মাবিলে সেই গলি থকা সাজর পরা সীহ সেই টাইপে নি এটি নতুন আখরর সাঁচ গঢ়িব। কিন্তু এনে টাইপত যিবিলাকে ছপাকার্য্যর আখর বিলাক সজাই-পরাই দিয়ে তেওঁলোকে খুব সাবধানে কাম করিব লাগে। কাৰণ এই টাইপত যদি এটা আখর নষ্ট হয় তেন্তে সেই গোটেই শাৰীটোকে আকৌ নতুনকৈ সজাব লাগিব। সেই কাৰণে লিনোটাইপত কাম করা টাইপবাইটাৰসকল নচবাচব সেই বিষয়ত খুব পৈণত। এই যন্ত্রটো প্রথমে বাতরি কাকত ছপা করা কামত ব্যৱহার হয় ১৮৮৬ চনত।

আজিকালি সকলো বিষয়তে ছপায়ন্ত্র লাগে। বেহা-বেপার, পোষ্টাফিচ, বাতরি কাকত এই আটাইবিলাক লাগতিয়াল বস্তুতে ছপাকাম নহলে নহয়। আরু সকলো স্কুল কলেজতে ছপা কিতাপ নহলে নহয়। ছপাযন্ত্রই শিক্ষা আরু জ্ঞানর ভেটি টনকিয়াল করি তুলিলে। আজিকালি সকলো সভ্য দেশতে মুদ্রাযন্ত্রর প্রচলন বর বেছি। ছপাযন্ত্র জগতর এটি অমূল্য বস্ত্র আরু এটি শ্রেষ্ঠ দান। এই যন্ত্র জগতক দান করি গল গটেনবার্গে আরু যিহেতু তেওঁ জার্ম্মানি দেশীয় মানুহ আরু যিহেতু এই যন্ত্রর সকলো বকম উন্নতি জার্ম্মানীদেশীয় মানুহেই প্রথমে সাধে, গতিকে আজি জার্ম্মানিয়ে গৌবব করিব পারে যে তেওঁলোকে এই শ্রেষ্ঠ বস্তুটো জগতক দান করিলে।

পাৰ্‌ছিউছ্‌ আৰু ডেনে

—শ্ৰীযুত কৃষ্ণকান্ত বুঢ়াগোহাঁই

পাৰ্‌ছিউছৰ পৰিচয়

ডেনে ৰাজকুৱঁৰীৰ একেটি মাথোন মৰমৰ পুতেক—পাৰ্‌ছিউছ্‌। এজন প্ৰসিদ্ধ মঙ্গলতিয়ে ডেনেৰ পিতাক এক্ৰিছিয়াছক কৈছিল যে, তেওঁৰ জীয়েক ডেনেৰ এটি পুতেকৰ হাতত তেওঁৰ মৰণ হব। এই ঘটনাৰ পৰা হাত সাৰিবলৈ এক্ৰিছিয়াছে শিলেৰে এটা দুৰ্গ তৈয়াৰ কৰি তাৰ ভিতৰত জীয়েকক সুমুৱাই ৰাখিলে। ইয়াকে কৰি তেওঁ নিচিন্ত হৈ ভাবিলে যে, তেওঁৰ জীয়েক পুত্ৰহীনা হৈ এই দুৰ্গতে বন্দী হৈ থাকিব লাগিব। কিন্তু বিধতাৰ লিখন কোনে খণ্ডাব! সেই দুৰ্গৰ ভিতৰলৈ ছদ্মবেশেৰে দেৱৰাজ ইন্দ্ৰ সোমাই ডেনেৰ লগত মিল হয়। তাৰ ফলত কালক্ৰমত ডেনেৰ এটি সন্তানৰ জন্ম হয়। এই সন্তানটিয়েই হৈছে পাৰ্‌ছিউছ্‌।

এক্ৰিছিয়াছে এই কথাৰ সম্ভেদ পাই বৰ বেজাৰ পালে। 'এই লৰাটিৰ হাততে তেওঁৰ মৰণ হব'—এই কথাই তেওঁক নিৰাশ কৰিলে। উপায়হীন হৈ মাক-পুতেক দুয়োকে নাৱত তুলি সাগৰত উটুৱাই দিলে। মাকে শিশুটিক বুকুত লৈ ঈশ্বৰক একমনে ভাবি-চিন্তি দুখে-বেজাৰে বহুদিনলৈ উটি গৈ আছে। অৱশেষত এটি দ্বীপত ৰলগৈ। দৈবাৎ এদিন এটা ডোমে সিহঁতক পাই সেই দেশৰ ৰজাৰ ওচৰলৈ লৈ গল। ৰজায়ো সিহঁতক আদৰ-সাদৰ কৰি থাকিবলৈ দিলে। সিহঁতে তাতে বহুকাল থাকিল। কালক্ৰমত এই পোনাটি ডাঙৰ-দীঘল হৈ এটি অতি সাহিয়াল আৰু বীৰ পুৰুষ হৈ পৰিল।

এই দ্বীপৰ ৰজা পলিডিক্‌টেছ্‌ এজন বৰ দুষ্ট আৰু নিষ্ঠুৰ প্ৰকৃতিৰ লোক আছিল। ডেনেৰ ৰূপত মুগ্ধ হৈ তেওঁক বিয়া কৰাবলৈ ইচ্ছা কৰিলে আৰু তাৰ লগে লগে পাৰ্‌ছিউছক ঘৃণাৰ চকুৰে চাবলৈ ধৰিলে। পাৰ্‌ছিউছক কেনেকৈ তেওঁৰ চকুৰ আগৰ পৰা আঁতৰ কৰিব পাৰিব—সদাই এয়েহে একমাত্ৰ ভাবনা। কিয়নো তাকে নকৰিলে তেওঁৰ মনোবাঞ্ছা পূৰ্ণ হব কেনেকৈ? অৱশেষত ভাবিচিন্তি পাৰ্‌ছিউছক স্থানান্তৰ কৰিবলৈ তেওঁ এটা দুঃসাহসৰ কাৰ্য্য উলিয়াই সেই কাৰ্য্য সম্পাদন কৰিবলৈ পাৰ্‌ছিউছৰ গাত ভাৰ দিলে। এই কাৰ্য্যটি এনে বিপদ্‌জনক যে, দুষ্ট ৰজা পলিডিক্‌টেছে ঠিক বুজি লৈছিল—ইয়াক সমাধা কৰিবলৈ গলে পাৰছিউছৰ মৃত্যু অনিবাৰ্য্য।

মহাসমুদ্ৰৰ মাজত থকা এটা সৰু দ্বীপত, য'ত অনবৰত সাগৰৰ ঢৌৱে পাৰত খুন্দিয়াই থাকে, 'গৰ্গন' নামে তিনিজনা বাই-ভনী বাস কৰিছিল। তাহাঁতৰ নাম ক্ৰমান্বয়ে মেডুছা, স্থিন আৰু ইউৰিয়েল। তাহাঁতৰ মুখৰ আকৃতি দেখিবলৈ সাইলাখ যেন অপেস্বৰীহে; কিন্তু বুকুৰ পৰা তলডোখৰ সৰ্পৰ নিচিনা—দেখিবলৈ এনে কুৎচিৎ যে, তাহাঁতক দেখিলে কোনোৱে ভয় নকৰি থাকিব নোৱাৰে। তাহাঁতৰ গাত ছালৰ সলনি মাছৰ নিচিনা ডাঠ বাকলি; হাতবোৰো পিতলৰ নিচিনা টান। এই আটাইবিলাকতকৈও ভয়ানক এই যে, তাহাঁতৰ মূৰত চুলিৰ ঠাইত শত সহস্ৰ বিষাক্ত সাপে ফোচ-ফোচাই কেৰমেৰাই থাকে।

এইবিলাকৰ পৰা তাহাঁত যে কিমান ভয়ানক প্ৰাণী বেছ অনুমান কৰিব পাৰি। তাহাঁতৰ নেজেৰে কোবাই নাইবা পিতলৰ সমান টান হাতেৰে একে ভুকুতে পাৰ-ছিউছ যেন এজন বীৰক পিঠা কৰিব পাৰে। কিন্তু ইয়াতকৈও বা তাহাঁতৰ মূৰত থকা বিষাক্ত সাপৰ খোঁটত-কৈও অতি ভয়ানক তাহাঁতৰ চকুৰ চাৱনি। চকুলৈ যেয়ে চাব সেয়ে মুহূৰ্ত্তৰ ভিতৰতে শিলা হৈ পৰিব।

এই তিনজনী বাই-ভনীৰ ভিতৰত মেডুছাই আটাইতকৈ ভীষণ প্ৰকৃতিৰ আছিল। কোনো কোনোৰ মতে মেডুছা প্ৰথমতে এজনা অতি সুন্দৰী আছিল। পিছত সৰস্বতী দেৱীয়ে তেওঁৰ চুলিবিলাক সাপ কৰি পেলায়। অসংখ্য সাপ থকা এই ভয়ানক মূৰটো কাটি অনাৰ ভাৰ ৰজা পলিডিক্‌টেছে পাৰছিউছৰ ওপৰত পেলাই দিলে, যিহেতু মেডুছাৰ চকুলৈ চালেই পাৰছিউছ শিলা হব নাইবা নাচালে মেডুছাৰ মূৰ কটা অসম্ভৱ; কাজেই পাৰ্‌ছিউছ্‌ আৰু পুনৰ ঘূৰি আহিব নোৱাৰে।

এইদৰে পাং পাতি ৰজাই পাৰছিউছক তেওঁৰ আগলৈ মতাই অনালে তেওঁ আহি পোৱা মাত্ৰে তেওঁৰ শৌৰ্য্য-বীৰ্য্যৰ বিষয়ে ৰজাই অত্যন্ত প্ৰশংসা কৰিবলৈ ধৰিলে। এনেবিলাক চাটুকাৰী শলাগনিৰে পাৰ্‌ছিউছক মুগ্ধ কৰি পেলাইছিল। পাৰ্‌ছিউছে আনন্দত মতলীয়া হৈ কবলৈ ধৰিলে, "হয় মহাৰাজ! আপুনি সত্য কথা কৈছে। মোৰ পক্ষে এনে কোনো কাৰ্য্য নাই যাক মই কৰিব নোৱাৰোঁ।"

ৰজাই আনন্দিত হৈ কলে "বেছ, বেছ! বাছা! মই এটি কাম মোৰ ৰাজ্যৰ সৰ্ব্বাপেক্ষা সাহসী বীৰৰ কাৰণে ৰাখি থৈছোঁ; তোমাৰ ওপৰত মই সেই কামৰ ভাৰ দিব পাৰোঁ নে?"

অতিশয় হৰ্ষ মনেৰে পাৰ্‌ছিউছে সুধিলে "স্বৰ্গদেউ! সঁচাকৈয়ে আপুনি মোক সেই কামৰ উপযুক্ত বুলি ভাবে জানো?"

ৰজাই ধীৰ ভাবেৰে উত্তৰ দিলে "তোমাৰ ইচ্ছা হলে চেষ্টা কৰি চাব পাৰা, মই তাত বাধা নিদিওঁ বা শাস্তিও নিবিহোঁ। কামটো হৈছে এই—চুলিৰ সলনি সাপ থকা মূৰেৰে মেডুছা নামে এটা 'গৰ্গন'ৰ মূৰ কাটি অনা।

পাৰছিউছে পলম নকৰি এই কাৰ্য্য সমাধা কৰিবলৈ গাত লৈ ৰাজ-অট্টালিকাৰ বাহিৰ হল। ৰজায়ো তেওঁৰ ইচ্ছা পূৰ্ণ হোৱাত নথৈ আনন্দ উপভোগ কৰিলে। বুদ্ধি-ছলনাৰে অতি সন্মান দেখুৱাই ডেকা পাৰ্‌ছিউছক মৃত্যুমুখত পৰিবলৈ পঠিয়াব পাৰি তেওঁৰ আনন্দত হিয়া নাচি উঠিল। ৰাজ-অট্টালিকাৰ পৰা ওলাই যাওঁতে বাটত পাৰছিউছে তেওঁৰ প্ৰতিজ্ঞাৰ বিষয়ে গুণা-গোঁথা কৰি যাবলৈ ধৰিলে। পিছত তেওঁ জানিব পাৰিলে যে, ৰজাৰ আগত প্ৰস্তাৱটো সহজ আৰু লঘু বুলি ভাবিছিল যদিও, প্ৰকৃতপক্ষে তেনে নহয়। তেওঁ যিমানে ভাবিছিল সিমানে অসম্ভৱ যেন অনু-মান কৰিবলৈ ধৰিলে। মুহূৰ্ত্তৰ উত্তেজনাত চাটুকাৰীৰ কথা শুনি এনে ভীষণ প্ৰতিজ্ঞা কৰি তেওঁ এতিয়া মহা বিপদত পৰিছে; আৰু জানিব পাৰিলে যে, সেই কাৰ্য্য সমাধা কৰিবলৈ গলে তেওঁৰ প্ৰাণ যাব, ই ধ্ৰুৱ।

পাৰ্‌ছিউছ যদিও এজন অতি সাহসী পুৰুষ আছিল তত্ৰাচ মেডুছাৰ চকুৰ দৃষ্টিত কি টিকিব! বিষণ্ণ মনেৰে তলমূৰ কৰি ইনাইবিনাই এজোপা গছৰ তলত বহি পাৰ্‌ছিউছে কান্দিবলৈ ধৰিলে। হঠাৎ শুনিবলৈ পালে "পাৰ্‌ছিউছ! তুমি কান্দিছা কিয়?" মূৰ ডাঙ্গি দেখে এটি বাওনা মানুহ। বাওনাটিৰ মূৰত এটি অদ্ভুত টুপী, ভৰিত পাখি-লগা জোতা। সাপ মেৰাই থকা লাখুটি এডালত ভৰ দি যেন কথা কৈছিল! এইজন বুধ। পাৰ্‌ছিউছে কিন্তু এওঁক চিনিব পৰা নাই।

'পাৰছিউছ তুমি কান্দিছা কিয়?' এই কথাষাৰিত সান্ত্বনাৰ সুৰ ফুটি উঠিছিল। বুধে পাৰছিউছৰ পৰা পৰিপাটিকৈ ঘটনাটি শুনি ললে। তাৰ পিছত তেওঁ বহি লৈ ক্ষন্তেক পৰ ভাবি কলে "যুৱক! তুমি অত্যন্ত সঙ্কটজনক কাম কৰিবলৈ গাত ললা; তথাপি আমাৰ সহায়ত তুমি কৃতকাৰ্য্য হব পাৰিবা। কিন্তু প্ৰথমতে তুমি মোৰ আগত, আমি যিমতে কৰিবলৈ আদেশ দিওঁ, সেইমতে কৰিম বুলি প্ৰতিজ্ঞা কৰিব লাগিব।" পাৰছিউছেও সেইমতেই প্ৰতিজ্ঞা কৰিলে।

পাৰছিউছৰ বীৰত্ব

জন্মৰ পৰা দেৱতা সকলে পাৰছিউছক সহায় কৰি আহিছে। সেইদেখি বুধে দেৱতা সকলৰ ওচৰলৈ আহি যুৱক পাৰছিউছক সহায় কৰিবলৈ কোৱা মাত্ৰকে সকলোৱে সন্মত হল।

যমৰজাই পাৰছিউছক তেওঁৰ মুকুটটো দিলে; ইয়াক পিন্ধিলে পাৰছিউছ শূন্যত লুকাব পাৰিব। সৰস্বতী দেৱীয়ে দিলে ঢাল এখন; ই সোণৰ নিচিনা দীপ্তিময়

আৰু আচ্চীৰ নিচিনা উজ্জ্বল। স্বয়ং বুধে দিলে এখন তীক্ষ্ণ তৰোৱাল আৰু পাখি-লগা এযোৰ খৰম ; সেই খৰম পিন্ধিলে পাবছিউছ আটাইতকৈ বেছি বেগে উৰিব পাৰিব।

এইদৰে পাবছিউছে দেৱতা সকলৰ পৰা সকলো প্ৰকাৰে সহায় পালে ; এতিয়া বাকী থাকিল মেড়ছাৰ থকা ঠাই অনুসন্ধান কৰা।

গুহাবাসিনী বাই-ভনী তিনিউৰ বাহিৰে আন কোনোৱে মেড়ছাৰ থকা ঠাই চিনি নাপায়। এই গুহা-বাসিনী তিনিজনী অতি অদ্ভুত প্ৰাণী আছিল। তাহাতৰ চুলি বিলাক ওপজাৰে পৰা পকা আৰু তিনিওৰে ভিতৰত মাথোন এটি চকু ; তিনিওজনীয়ে মিলিজুলি সময় বুজি দৰ্কাৰত সলনা-সলনিকৈ এই একেটি চকুকে ব্যৱহাৰ কৰে। যেতিয়া কোনো এজনীয়ে এই চকুটো ব্যৱহাৰ কৰে, তেতিয়া বাকী দুজনী অন্ধ হৈ থাকে। আকৌ যেতিয়া ব্যৱহাৰ কৰাজনীয়ে চকুটো নি আন এজনীক দিয়ে, তেতিয়া সেই সময়ত তিনিওজনী বাই-ভনী অন্ধ হৈ পৰে।

সেই চকুটো কেনে আচৰিত! ছটা চকু একেলগে গোটালেও তাৰ সমান হব নোৱাৰে। তাৰ ইমান চোকা দৃষ্টি! ইয়াৰ দ্বাৰাই এই বাই-ভনী তিনিওজনীয়ে সমস্ত পৃথিবীৰ লীলাখেলা দেখে আৰু এই চকুৰ দ্বাৰাইহে তাহাতে মেড়ছাৰ থকা ঠাই ক'ত কব পাৰে।

য'ত এই গুহাবাসিনী তিনিজনী থাকে তাৰে বুধে পাবছিউছক লৈ গল। তাৰ পিছত বুধে কিছু উপদেশ দি বৃক্ষকুঞ্জৰ মাজত সোমাই থাকিল। মাকোৱাৰ উপদেশ মতে পাবছিউছ গুহাৰ সন্মুখত থকা এটা জোপাৰ আঁৰত লুকাই থাকিল।

এনেতে তাহাতৰ এজনীয়ে কপাল্ত চকুটো ঘুৰাই লৈ বাকী দুজনীক হাতত ধৰি গুহাৰ বাহিৰলৈ উলিয়াই আনি দুবত, দুবত—তাতোকৈ দুবত ঘটা আশ্চৰ্য্য ঘটনাৱলী আৰু যি দেখিছে সেই সকলো বিলাক আন দুজনীক কৈ গৈছে। কিছু সময়ৰ পিছত দ্বিতীয়জনীয়ে মাত লগালে, "বাইদেউ! এইবাৰ মোৰ পাল পৰিছে, মোক চকুটো দিয়া ; ময়ো চাই লওঁ।" এনেতে লবালবিকৈ তৃতীয় জনীয়ে মাত লগালে "নহয়, সেইটো হবই নোৱাৰে ; এইবাৰ মোৰহে পাল।" এইদৰে ওখনা-ওখনি লাগি থাকোতে প্ৰথমজনীয়ে মাত লগালে "ৰ'বা, শুনাচোন। মোক আৰু অলপ পৰ চাবলৈ দিয়া। মই জোপা এটাত কোনোবা মানুহ এটা দেখোঁ যেন লাগিছে।" এই কথাষাৰি শুনিবলৈ পাই পাবছিউছৰ ভয়ত পেটতে হাত ভৰি লুকাল,—জানোচা তেওঁক তাহাঁতে দেখা পায়! ভাগ্য-বশতঃ যমৰজাৰ সহায়ত পাবছিউছ শূন্যত লুকাব পাৰিছিল। তাতে আকৌ তাহাঁতে পাবছিউছেই হ'ক বা আনেই হ'ক তালৈ কাণ নিদি টনা-আঁজোৱা লগাবলৈ ধৰিলে। ইতিমধ্যে তিনিওজনী অন্ধ হৈ পৰিল। এই ফেগতে ছল চাই পাবছিউছে বেগাবেগিকৈ তাহাঁতৰ মাজলৈ গৈ চকুটো কাঢ়ি আনিলে। এতিয়া তাহাঁতৰ বিলৈ চায় কোনে। ইজনীয়ে সিজনীক, সিজনীয়ে ইজনীক দোষাবোপ কৰিবলৈ ধৰিলে। মুঠতে তাহাঁতৰ ভিতৰত এক ভীষণ গণ্ডগোল আৰম্ভ হল। ইমানতে পাবছিউছে মাত নলগোৱা হলে তাহাঁতৰ কি গতি হলহেঁতেন!

পাবছিউছে কলে "সুশীলা নাৰীসকল! তোমালোকে কিয় হাই-কাজিয়া কৰিছা, চকু মোৰ হাতত।" ক্ৰোধত অগ্নিশৰ্ম্মা হৈ তিনিওজনীয়ে মাতৰ ফাললৈ লক্ষ্য কৰি পাবছিউছক আক্ৰমণ কৰিবলৈ গল। কিন্তু পাবছিউছ শূন্যত লুকাই অতি বেগেৰে উৰিব পাৰে। তাহাঁতে চুকি নোপোৱা ঠাইত উৰি উৰি পাবছিউছে কলে, "যদি তোমালোকৰ চকু ঘুৰাই পাবলৈ ইচ্ছা কৰা তেন্তে মেড়ছা কোন সাগৰৰ কোন দ্বীপত বাস কৰে আৰু তালৈ কেনেকৈ যাব পাৰি, এই সকলো বিলাক মোক কব লাগিব ; নহলে চকু ঘুৰাই নোপোৱা।" তিনিউ বাইভনী মহা বিপদত পৰিল। মেড়ছাৰ বিষয়ে আনক কৈ মেড়ছাৰ অনিষ্ট কৰিবলৈ তাহাঁতৰ ইচ্ছা নাই, কিয়নো তাহাঁতৰ একমাত্ৰ আত্মীয় এই মেড়ছা আৰু ভনীয়েক দুজনী। আনহাতে যদি নকয়, তেন্তে তাহাত চকুহীন হৈ এই শস্য-শ্যামলা উজ্জ্বল পৃথিবীত জীয়াই থকাই বৃথা। কিংকৰ্ত্তব্যবিমূঢ় হৈ, কিছু সময় ভাবিচিন্তি অৱশেষত সকলো বৃত্তান্ত

ভাঙ্গি-চিঙ্গি কলে। পাবছিউছেও পৰিপাটিকৈ জানিব পাৰি চকুটো এজনীক দি দিলে। তাৰ পিছত বুধৰ ওচৰলৈ আহি তেওঁৰ সাহায্যৰ বাবে তেওঁক আন্তৰিক ধন্যবাদ জনাই, তেওঁৰ পৰা বিদায় লৈ, তেওঁৰ স্বীকৃত কার্য্য সাধন কৰিবলৈ যাত্ৰা কৰিলে।

পাবছিউছ কত দেশ-দেশান্ত, নদ-নদী, বন-উপবন, সাগৰ-মহাসাগৰ, পৰ্ব্বত-পাহাৰৰ ওপৰেদি উৰি যাবলৈ ধৰিলে তাৰ লেখ-জোখ নাই। দিনৰ পাছত মাহ, মাহৰ পাছত বছৰ এইদৰে কত বছৰ অতীত হৈ গল! অৱশেষত সেই ভীষণ প্ৰকৃতিৰ প্ৰাণী 'গৰ্গন'ৰ বাসভূমি দ্বীপত ওলালগৈ। শিলা হোৱাৰ ভয়ত তেওঁ মুহূর্ত্তৰ কাৰণেও তললৈ চাবলৈ সাহ নকৰিছিল।

উৰি উৰি সৰস্বতী দেবীয়ে দিয়া চালখন আচিৰ দৰে ব্যৱহাৰ কৰি তলৰ সকলো বস্তু প্ৰতিবিম্বৰূপে দেখা পালে। সেই চালতে এই 'গৰ্গন' তিনিজনীকো ঘোৰ নিদ্রাত নিদ্রিত হৈ থকা দেখা পালে। বুধে দিয়া তীক্ষ্ণ তৰোৱাল খুলি লৈ, চালৰ প্ৰতিবিম্বত মেড়ছাৰ মূৰ্ত্তি লক্ষ্য কৰি, একে উশাহে তললৈ নামি আহিল আৰু একে ঘাপেই নিদ্রিত মেড়ছাৰ মুৰ কাটি পেলালে। মুৰটো পিঠিত বান্ধি লৈ পাবছিউছ আকৌ আকাশলৈ উঠিল। মেড়ছাৰ মুৰৰ সাপৰ ফোঁচফোঁচনিত বাকী দুজনী 'গৰ্গন'ৰ টোপনি ভাগিল। তাহাঁতে পাবছিউছৰ পাছে পাছে খেদি গল। মাজতে এটা কথা কবলগীয়া হল। এই 'গৰ্গন' কেইজনীৰ চবাইৰ দৰে পাখি আছিল। সেই দেখিহে তাহাঁতে উৰিব পাৰিছিল। বুধৰ পৰা পোৱা পাখিলগা খৰমেৰে পাবছিউছ অতি বেগেৰে উৰিব পাৰিছিল আৰু যম বজাই দিয়া মুকুটৰ দ্বাৰা তেওঁ শূন্যত লুকাব পাৰিছিল। সেইগুণে 'গৰ্গন' দুজনীয়ে পাবছিউছক ধৰিব নোৱাৰিলে।

পাবছিউছে এই কাম সমাধা কৰিবলৈ যাওঁতে আৰু ঘুৰি আহোতে অনেক দুঃসাহসিক কার্য্য সমাধা কৰি নানা বিপদ অতিক্ৰম কৰি আহিব লগীয়া হৈছিল।

বহু বছৰৰ মুবত পাবছিউছে ঘুৰি আহি মাকৰ কুটিৰ পালে। চাল-তৰোৱাল, মুকুট অস্ত্ৰ খৰম আদি সোণোকাহে আৰু মেড়ছাৰ মুবটো কাপোৰেৰে ঢাকি মাকক অভিবাদন জনালেহি। ইমান বছৰৰ মুবত মাকে পুতেককে দেখিবলৈ পাই আনন্দাশ্রু টুকিবলৈ ধৰিলে। মাকে পূর্ব্বে থিৰাং কৰি ভাবি লৈছিল যে, পুতেক নিশ্চয় মৰিব। কিয়নো 'গৰ্গন'ৰ বাসস্থান ইমান দূৰ আৰু ইমান সঙ্কটজনক যে, কিদৰে তালৈ যাব পাৰি তাক অত্যাশ্চর্য্য একেটি চকু-লগা এই গুহাবাসিনী তিনিজনীৰ বাহিৰে আন কোনোৱে নাজানে। পাবছিউছক দেখি মাকৰ হিয়া আনন্দত নাচি উঠিল। পুতেকেও মাকক পুনৰ দেখা পাই আশ্বাহাবা হল। তেওঁ কিদৰে মেড়ছাক হত্যা কৰি ঘুৰি আহোতে সুন্দৰী এণ্ড্রোমিডাক লাভ কৰিলে, এই সকলো বিলাক পৰি-পাটিকৈ কলে। মাকেও বজা পলিডিক্টেছৰ পৰা কি কি দুখ-নির্য্যাতন ভোগ কৰিছে এই সকলোখিনি পুতেককে কলে। মাকৰ বিলৈৰ কথা শুনি পুতেকে বৰ দুখ কৰিলে আৰু ইয়াৰ প্ৰতিশোধ লবলৈ প্ৰতিজ্ঞা কৰিলে।

পিছদিনা পুৱা মেড়ছাৰ মুবটো কাপোৰৰে মোনা এখনত ভৰাই লৈ পাবছিউছ বজাৰ আগলৈ গল। বজাই দেখি অবাক! তেওঁ থোকাথুকি মাতেবে কবলৈ ধৰিলে, "পাবছিউছ! তুমি দেখোন তোমাৰ কাম নকৰি বিফল-মনোৰথ হৈ ঘুৰি আহিলা! মোৰ আগত পূর্ব্বে যিদৰে ডাঙোপ মাৰি সাহিয়াল আৰু বীৰ বুলি পৰিচয় দিছিলা, সেইদৰে কার্য্যত নেদেখুৱাই মুখখন দেখুৱাবলৈ আহিছা! বাস্তবিক তুমি প্ৰকৃত সাহসী আৰু বীৰ নোহোৱা।"

পাবছিউছে নম্রতাৰে উত্তৰ দিলে, "মহাৰাজ! আপুনি বৃথাই মোক তিৰস্কাৰ কৰিছে কিয়? মই মেড়ছাক হত্যা কৰি আপোনালৈ তাইৰ মুব কাটি লৈ আহিছো।"

ঠাট্টাৰ ছলেবে বজাই হাহি হাহি কলে, "কিহে ঘুৰক! মুখেবে কলেই যে কার্য্যত হব এনে কিবা মানে আছেনে? তুমি তোমাৰ প্ৰকৃত বীৰত্বৰ প্ৰমাণ দিব খুজিলে, মেড়ছাৰ মুবটো দেখুৱাবলৈ লাগিব।" নকলেও হব বজাই পাবছিউছৰ কথা তিলমাত্ৰও বিশ্বাস কৰা নাছিল। পাবছিউছে টপনাই মাত লগালে "মহাৰাজ! আপোনাৰ ইচ্ছা হৈছে যেতিয়া চাওক, এইটো মেড়ছাৰ মুব।" এই বুলি মোনাৰ পৰা ভীষণ আৰু আশ্চৰ্য্য প্ৰকৃতিৰ অথচ

সুন্দৰ মুখটো দাঙি ধৰিলে। মুখটোলৈ চোৱা মাত্ৰে ৰাজকীয় আৱৰণপূৰ্ণ সাজ-পাৰেৰে ৰজা শিলা হৈ পৰিল।

নিচুৰ আৰু অত্যাচাৰী ৰজাৰ এনে দুৰ্দ্দশাত সকলো প্ৰজা আনন্দত উঠাৰল হল। সেই দেশৰ কাৰণে পাৰছিউছে আন এজন শাসনকৰ্ত্তা নিয়োগ কৰিলে। নতুন শাসনকৰ্ত্তাৰ অধীনত সকলো প্ৰজাই সুখ-শান্তিত দিন নিয়াবলৈ ধৰিলে।

পাৰ্‌ছিউছে সততে ভাবি লৈছিল যে, তেওঁৰ কৃতকাৰ্য্যতাত বুধ আৰু অন্যান্য দেবদেবী সকলৰ ওচৰত তেওঁ ঋণী; সেই ঋণ তেওঁ পৰিশোধ কৰা টান। সেই কাৰণে সেইসকলৰ ওচৰত তেওঁ কৃতজ্ঞতা পাশত আবদ্ধ। তেওঁ প্ৰথমতে মেডুছাৰ মুখটো সৰস্বতী দেবীক উপহাৰ দিলে। উপহাৰ পাই সৰস্বতী দেবী বৰ সুখী হল। সৰস্বতী দেবীয়ে তেওঁৰ ঢালৰ মাজত এই মুখটো বান্ধি ললে। যুদ্ধৰ সময়ত এই ঢালখন উৎকৃষ্ট অস্ত্ৰ হৈ পৰিল,—ইয়াতেই যেয়ে চাব সেয়ে শিলা হব।

পাৰছিউছৰ পত্নীলাভ

পাৰ্‌ছিউছে এণ্ড্ৰোমিডাক কেনেকৈ পত্নী স্বৰূপে পালে, তাক কোৱা ন'ক। মেডুছাক হত্যা কৰি পাৰ্‌ছিউছ ঘৰি আহোঁতে বাটত এই ঘটনা ঘটে।

গ্ৰীচদেশৰ দক্ষিণে থকা সাগৰৰ মাজত কোনো এটি দ্বীপত চিফিয়াছ্‌ নামে এজন ৰজাই এইথিওপিয়া নামেৰে ঠাইত ৰাজত্ব কৰিছিল। তেওঁৰ ৰাণী কেছিওপিয়াৰ গৰ্ভত সুন্দৰী কুমাৰী এণ্ড্ৰোমিডাৰ জন্ম হয়।

ৰাণী কেছিওপিয়া এজনা ৰৰ সুন্দৰী ৰমণী আছিল। তেওঁ এদিন তেওঁৰ সৌন্দৰ্য্যগৰ্ব্বত গৰ্ব্বিত হৈ এইদৰে ঘোষণা কৰিছিল যে, তেওঁ জলকুঁৱৰী বিলাকতকৈও শুন্দৰী। কিন্তু দৰাচলতে জলকুঁৱৰী বিলাকহে কেছিওপিয়াতকৈ বেছি শুন্দৰী। এনেস্থলতো কেছিওপিয়াই জলকুঁৱৰী-হঁতৰ লগত নিজৰ সৌন্দৰ্য্যৰ তুলনা কৰাত জলকুঁৱৰীহতৰ খং উঠিল।

কোনো কোনোৱে কয় যে, কেছিওপিয়াই তেওঁৰ জীয়েক এণ্ড্ৰোমিডাকহে জলকুঁৱৰীতকৈ বেছি সুন্দৰী বুলি গৌৰব কৰিছিল, নিজক জলকুঁৱৰীতকৈ শুন্দৰী বুলি কোৱা নাছিল। ইংৰাজ কবি মিল্টনেও পাছৰটোত মত দি এইদৰে কৈছে—

"Or that starr'd Ethiop queen that strove
To set her beauty's praise above
The sea-Nymphs, and their powers offended."

সি যি নহ'ক, কেছিওপিয়াৰ এই মিছা দম্ভৰ প্ৰতিশোধ লবলৈ জলকুঁৱৰী বিলাকে বৰুণৰ সহায়ত এটা প্ৰকাণ্ড সামুদ্ৰিক অজগৰ পঠিয়াই দিলে। কেছিওপিয়াৰ ৰাজ্যত সোমাই এই অজগৰটোৱে প্ৰজাৰ অনিষ্ট কৰিবলৈ ধৰিলে। প্ৰজাৰ অনেক অকথনীয় ক্ষতি হল—চাৰিওফালে হা-হুমুনিয়াহ! অৱশেষত কেইজনমান মুখিয়াল গোট গাই এজন মন্দিৰত থকা মঙ্গলতিৰ ওচৰলৈ গৈ উপায় সুধিলে। মঙ্গলতিয়ে ভাবি-চিন্তি উত্তৰ দিলে—"ৰাণী কেছিওপিয়াৰ মিছা গৰ্ব্বৰ কাৰণেহে দেশত অশান্তি হৈছে। যদি তেওঁৰ সুন্দৰী জীয়েক এণ্ড্ৰোমিডাক সেই অজগৰটোক গ্ৰাস কৰিবলৈ দিয়ে, তেন্তে জলকুঁৱৰীবিলাক তুষ্ট হব, আৰু লগে লগে অজগৰটোও শুচি যাব।"

কুমাৰী এণ্ড্ৰোমিডা আছলতে মাকতকৈও সুন্দৰী আছিল সঁচা। আৰু তেওঁ অতি ধীৰ, অতি নম্ৰ আৰু অসামান্য গুণৱতী আছিল। সেইদেখি তেওঁক সকলো প্ৰজাই অন্তঃকৰণেৰে ভাল পাইছিল। এতিয়া এনে নিচুৰ বাণী শুনিবলৈ পাই সকলো প্ৰজাৰ দুখ লাগিল। হায়! মাকৰ মিছা দম্ভৰ কাৰণেই তেওঁ মৰিব লাগিব এই কথাত দুখ নকৰি কোন থাকিব পাৰে!

ইপিনে কেছিওপিয়াৰ অৱস্থা চায় কোনে! তেওঁ ব্যাকুল হৈ আহাৰ-নিদ্ৰা একেবাৰে এৰিলে। ৰজাৰো একে দশাই হল। ৰাণীয়ে এই নিচুৰ দৈববাণী বিশ্বাস নকৰিলে। তেওঁ নিজে মন্দিৰলৈ গৈ আঁঠু কাঢ়ি কৰুণ সুৰেৰে প্ৰাৰ্থনা কৰি কলেগৈ—"দেশৰ অশান্তি দূৰ কৰিবলৈ এণ্ড্ৰোমিডাক সাপে গ্ৰাস কৰিবলৈ আদেশ দিয়াৰ ঠাইত, যদি আন কোনো বলিদান দিলেও হয়, তেন্তে মই সাজু আছোঁ; কৃপা কৰি আদেশ দিয়ক।"

আৱাহন



আকৰ্ষণ

শিল্পী—শ্ৰীপ্ৰতাপ চন্দ্ৰ বৰুৱা

লক্ষ্মীবিলাস প্ৰেছ, লিমিটেড।

সকলো প্ৰাৰ্থনা মিছা হল। সেই একে দৈববাণীকে তেওঁ শুনিবলৈ পালে—"যদি তুমি তোমাৰ নগৰ আৰু তোমাৰ ৰাজ্যৰ প্ৰজাবৰ্গক উদ্ধাৰ কৰিব খোজা, তেন্তে তোমাৰ জীয়েকক অজগৰক গ্ৰাস কৰিবলৈ দিবই লাগিব।"

অতি দুখ মনেৰে কেফিওপিয়া ঘৰমুৱা হল। অন্তঃপুৰত দুৱাৰ মাৰি সোমাই লৈ আৰু পুনৰায় জীয়েকৰ মুখ চাবৰ কাৰণে ওলাই আহিবলৈ শক্তি নহল। এই সকলো বিপদৰ কাৰণ তেৱেঁই। মিছা ৰূপ-গৰ্ব্বৰ কাৰণে নিজকে নিজে ধিক্কাৰ দিবলৈ ধৰিলে। আগেয়ে যি মুখ চাই নিজে নিজে কত আনন্দ উপভোগ কৰিছিল আজি সেই মুখকে তেওঁ কত নিন্দা আৰু ঘৃণা কৰিবলৈ ধৰিলে।

ইতিমধ্যে শোকাকুল ৰজা চিফিয়াছ আৰু আন কেইজনমান মুখিয়াল প্ৰজাই এণ্ড্ৰোমিডাক সমুদ্ৰ-তীৰলৈ নি এটা সৰু পাহাৰৰ ওপৰত শিকলিৰে বান্ধি ওলোমাই থলেগৈ। তাৰ পিছত সকলোৱে এণ্ড্ৰোমিডাক চাৰিওফালে বেৰি লৈ তেওঁবিলাকৰ আটাইতকৈ সুন্দৰী কুমাৰী এণ্ড্ৰোমিডাক অজগৰটোৱে কেনেকৈ গ্ৰাস কৰিবহি, তাক বিশ্লেষণ চাই থাকিল।

এণ্ড্ৰোমিডাই হতভগীয়া মাকবাপেক আৰু প্ৰজাবৰ্গৰ শোক কমাবলৈ, ৰৰ সাহ দেখুৱাই থিৰেৰে অজগৰৰ আগমনলৈ চাই আছে; কিন্তু ইহাতে প্ৰতিমুহূৰ্ত্তে সেই অজগৰৰ কুৱাবিলৈ মনত পৰি ভয়ত কৰুণস্বৰে তেওঁৰ অন্তৰ কান্দিছিল।

সকলোৱে আকুল চিতেৰে সাগৰৰ ফালে চাই আছে, এনেতে হঠাৎ আঁতৰত পানীৰ ওপৰেদি এটা কৃষ্ণবৰ্ণ জন্তু অহা যেন দেখা পালে। চাওঁতে চাওঁতে নিমিষৰ ভিতৰতে নেজেৰে পানী কোবাই সাগৰ তল-ওপৰ লগাই, নাকেৰে ভীষণ গৰ্জ্জন কৰি অহা অজগৰটো দেখা পাই ভয়ত চিঞৰি উঠিল! বেৰি থকা প্ৰজাবৰ্গই চকু মুদিলে।

এনেতে পাৰছিউছ মেডুছাৰ মুৰ কাটি সেই পিনে ওপৰেদি উৰি আহোতে এই দৃশ্য দেখা পাই অজগৰটোক হত্যা কৰিবৰ ইচ্ছাৰে হো-হো কৰে তললৈ নামি আহিল। অজগৰটোৱেও এণ্ড্ৰোমিডাক গ্ৰাস কৰো কৰো হৈছে, পাৰছিউছে তৰোৱাল খুলি লৈ অজগৰটোক আক্ৰমণ কৰিবলৈ গল। অজগৰটোৱেও পাৰছিউছৰ লগত এখন তুমুল যুদ্ধ পাতিলে।

তৰোৱাল আৰু সৰ্পৰ খুন্দাখুন্দিত এণ্ড্ৰোমিডাক ৰখি থকা প্ৰজাবৰ্গই চকু মেলি চাই এই কাণ্ড দেখি অবাক হল। ই আকৌ কি ভূতৰ ওপৰত দানহ ওলাল। ক্ষণেকৰ পিছতে পাৰছিউছে অজগৰটো কাটি ডোখৰ ডোখৰ কৰিলে। মৰা সাপটো সাগৰৰ ওপৰত ওপঙা দেখিবলৈ পাই সকলোৱে আনন্দত জয়ধ্বনিৰে চিঞৰ বাখৰ লগালে। প্ৰতিধ্বনিত গগণভেদী শব্দ উঠিল। সকলোৰে মনত আনন্দ, সকলোৰে মনত অন্তৰভৰা হাহি।

পাৰছিউছে অজগৰটো হত্যা কৰিয়েই এণ্ড্ৰোমিডাক বান্ধি থোৱা শিকলিৰ বান্ধ মোকালি দিলে। এতিয়া প্ৰজাবৰ্গৰ উল্লাস আনন্দ চায় কোনে! "ধন্য তুমি পাৰছিউছ! তুমিয়েই আচল বীৰ!" ইয়াকেহে মাথোন চাৰিওফালৰ পৰা শুনা গল।

বীৰ পাৰছিউছ কিছুদিনৰ কাৰণে কেফিওপিয়াৰ অনুমতি আৰু অনুৰোধত পৰি আলহী হৈ ৰল। তেওঁক ৰজা-ৰাণীয়েহে নালাগে সদৌ প্ৰজাই নথৈ সন্মানেৰে শুশ্ৰূষা কৰিবলৈ ধৰিলে। এণ্ড্ৰোমিডাক সচ্চৰিত্ৰা আৰু তেওঁৰ বিয়া সোমাবলৈ ইচ্ছা থকা দেখি পাৰছিউছে ৰজা-ৰাণীৰ ওচৰত পাণি প্ৰাৰ্থনা কৰিলে। যি মুহূৰ্ত্তত পাৰছিউছে অজগৰটোক হত্যা কৰিছিল, সেই মুহূৰ্ত্তে এণ্ড্ৰোমিডাই পাৰছিউছৰ লগত বিয়া সোমাবলৈ সঙ্কল্প কৰিছিল। প্ৰকৃততে নাৰীয়ে বীৰক বেছি ভাল পায়।

এণ্ড্ৰোমিডাৰ সন্মতি লৈ ৰজাই অতি সোনকালে বিয়াৰ যো-যা কাৰ্য্য! বিয়াৰ দিন-বাৰ চোৱাই দিন স্থিৰ কৰিলে। সকলো প্ৰজাক বিয়ালৈ নিমন্ত্ৰণ কৰা হল। এইখিনিতে ৰজা-ৰাণীৰ এটা ৰৰ ভয় হল। পূৰ্ব্বে ফিনিয়াছ নামে এজন বৃদ্ধই এণ্ড্ৰোমিডাক বিয়া কৰাব খুজিছিল আৰু এই বিষয়ে ৰজা ৰাণীকো কৈছিল। তেওঁলৈ ভয় কৰি মাক-বাপেকে বিয়া নিদিওঁ বুলিও নকৈছিল বা দিম বুলিও কোৱা নাছিল। এণ্ড্ৰোমিডাই এই বৃদ্ধক অতিশয় ঘৃণা কৰিছিল। এতিয়া সেই ফিনিয়াছে কিবা

অঘটন ঘটাব বুলি আশঙ্কা কবিছিল। পিছে পাবছিউছব উপস্থিতিত ভয় কিহব !

বিয়াব দিন আহিল। বতব ফবকাল। চাবিওফালে বিহগব সুললিত গীতব ধ্বনি। গছেও নতুন পাত সলাইছে। মলয়া বতাহে গা জুব কবিছে। এনে বিতোপন সুন্দব দিনত বিয়া! বঙা-প্রজা, লবা-বুঢ়া, চিগাহী-চন্তবী সকলোবে মুখত হাঁহি। মধ্যাসময়ত অত্যন্ত জাক-জমকেবে আক অতি সমাবোহেবে পাবছিউছব লগত এণ্ড্রোমিডাব শুভ-বিবাহ হৈ গল। বিয়াব উপলক্ষে নানাবিধ উত্তম দ্রব্যেবে ভোজব আয়োজন কবি সুন্দব সুন্দব মেজত সজাই থোৱা হৈছে। দলে দলে নিমন্ত্রিত লোক আহি সজাই থোৱা মেজবিলাকব চাবিওফালে বহিল। ভোজন আৰম্ভ হল।

ফস্তেকব পিছত ফিনিয়াছ আহি উপস্থিত। লগত সু-সজ্জিত এদল সৈন্য। দেখি সকলো নিমাত হল। ফিনিয়াছে কবলৈ ধবিলে, "পাবছিউছ! মই এণ্ড্রোমিডাব পূর্ব্বব পাণিগ্রার্থী। সেইদেখি মই এতিয়া এণ্ড্রোমিডাক নিবলৈ আহিছো। ভালে ভালে এবি দিয়া, নহলে মই মোব সৈন্যেবে তোমাক আক মোব এই কামত বাধা দিওঁতা সকলক বধ কবিম।"

ফিনিয়াছব কথা শুনি এণ্ড্রোমিডা ভয়ত কঁপি কঁপি পাবছিউছব ডিঙ্গিত সাবট মাবি ধবিলে। পাবছিউছে এহাতে ভয়াতুব এণ্ড্রোমিডাক আক আনহাতে মেডুছাব মুব থকা মোনাত হাত ভবাই কলে, "বৃদ্ধ! যাক তুমি নিবলৈ আহিছা, তেওঁ এতিয়া মোব স্ত্রী। তোমাব এনে ক্ষমতা নাই যে, তুমি এণ্ড্রোমিডাক মোব হাতবপবা কাঢ়ি নিব পাবিবা!"

"বাক! দেখা যাব।" ফিনিয়াছে এই বুলি সংক্ষেপে উত্তব দি পাবছিউছক আক্রমণ কবিবলৈ সসৈন্যে খেদি আহিল। তবোৱালব ঘাপ পাবছিউছব গাত পৰো পৰো হওঁতেই হাতত অস্ত্র দাঙ্গি ফিনিয়াছ শিলা হৈ বল। কাবণ পাবছিউছে মেডুছাব মুবটো ফিনিয়াছব ফালে দাঙ্গি ধবিছিল। মুবটোলৈ চোৱা মাত্রে ফিনিয়াছ শিলা হৈ পৰিল। সেনাপতি ফিনিয়াছব এনে দুর্দ্দশা দেখি বাকী সৈন্যবোব পলাই ফাট মাবিলে। কোনো কোনোবে ফিনিয়াছ আক তেওঁব সকলো সৈন্যও শিলা হৈছিল বুলি কয়। *

* ইংবাজীবপবা অনুদিত।

দৃষ্টিসৃষ্টি

কবিতা— —শ্রীযুত দেবকান্ত বৰুৱা

সেই দিনা,
কধিব খেলাত উন্মাদ কবি উন্মাদ তাব অগ্নিবীণা!
কত শতিকাব দুখব গান,
কত বিদ্রোহী তকণ প্রাণ,
গবজে সিদিনা কবিব প্রাণত কত বিশ্বব সর্ব্বনাশ!
মৃত্যু-বিভোল কবিব দৃষ্টি,
সিদিনাতো তাত নহল সৃষ্টি,
কঁপি গল মাৰ্ত্যে বুকুবেদি তাব সৃষ্টিনাশব মহোল্লাস!
আক আজি,
ক'ব পবা তুমি দেখা দিলা আহি শতউৰ্ব্বশীবেশে সাজি?
কাঢ়িলা কবিব শাণিত খড়্গ,

হবিলা কবিব শোণিত হর্ষ,
অগ্নিবীণাব দুমাণা বহি, স্তব্ধ কবিলা প্রলয় গান;
মুগ্ধ, শান্ত, নীবব কঁবি,
হৃদয়ব তাব মবণ-ছবি,
জীৱন-বঙেবে কবিলা দীপ্ত তুলিলা হিয়াত স্নেহব বাণ!
অগ্নিবীণাত ফুলব ভাষা!
ধুমুহা-পথীব শান্তি-আশা!
তপ্ত হিয়াত উবিল কবিব তৃপ্তি-মেঘব ধৱল পাল;
নতুন প্রেমব লাজুক দৃষ্টি,
আবেগত তাব জাগিল সৃষ্টি
প্রথম পুৱাব হিবণ ববণ তকণ কিবণ ইন্দ্রজাল!

সমালোচনা

—শ্রীযুত বীবেশ্বব শর্ম্মা, বি-এ

"—the endeavour in all branches of knowledge, theology, philosophy, history, art, science, to see the object as in itself it really is."

সমালোচনা কি আক সাহিত্যক্ষেত্রত তাব আৱশ্যকতা কিমান তাকেই এই প্রবন্ধত চমুকৈ দেখুৱা হব। বহুতে ভাবে, সমালোচনা কবা মানে কোনো এটা বস্তুব বা বিষয়ব দোষ বাহিৰ কবা; কিন্তু দবাচলতে সি সমালোচনা নহয়। সাধাবণতে কোনো এটা বস্তুব বা বিষয়ব দোষ-গুণ বিশ্লেষণ কবি তাব মূল্য নিৰূপণ কবাকে সমালোচনা বোলে। কিন্তু সেয়েই সমালোচনাব শেষ সীমা নহয়। সাহিত্য, বিজ্ঞান, কলা, ধর্ম্ম, দর্শন, বুৰঞ্জী আদি জ্ঞানব সকলোবিলাক বিভাগতে কোনো এটা বস্তুক আচলতে কি বস্তু চাবলৈ চেষ্টা কবাই হৈছে সমালোচনা। ইংবাজী 'ক্রিটিচিজম্' শব্দটোব পবা ভালকৈ বুজিব পাৰোঁ। যেনে—সমানভাৱে বা সমাকৰূপে আলোচনা। এটা সাধাবণ দৃষ্টান্ত এই—বেবত এখন ছবি আঁকা আছে। ছবিখনত আঁকা আছে এখন বাগিছাব মাজত এজনী গাভৰু; গাভৰুবে হলি থকা গছব ডাল এটাত বাওঁহাতখন বৈ তাব ওপবত থুঁতিবিটো ৰাখি একাগ্রমনে স্থিব চকুবে এপিনে চাই আছে। তলত লিখা আছে "বাট চাই প্রিয়জনলৈ"। এতিয়া ছবিখন ভালকৈ চোৱা। ছবিখন সুন্দব। পোহব আক আন্ধাবুব অপূর্ব্ব সমাবেশ। সুন্দবী দেহব গঠন আক ভঙ্গি, ফিবফিবীয়া বতাহত উবি থকা কাপোবব আঁচল সকলো স্বাভাৱিক হৈছে। মুঠতে সেই আঁকাত চিত্রকব কৃতকার্য্য। গাভৰুব চকুজুবিয়ে বুজাইছে যেন তেওঁ তাত কোনোবা আহিবলৈ বাট চাই আছে; চকুত এক সবল উৎকণ্ঠাব ভাব, মনত আনন্দ নাই। তেনে হলে মন বা ভাব আঁকাতো চিত্রকব নিপুণ। এতিয়া কোৱা ছবিখন যথার্থতে ভাল। এয়েই একবকম সমালোচনা। কিন্তু তুমি চিত্রকবজনক ভাল নোপোৱা বা তুমি প্রণয় কি নাজানা, বা তুমি নিতান্ত 'বেবসিক'; এনেকুৱা বিলাক কাবণত যদি তুমি কোৱা যে ছবিখন বেয়া সি সমালোচনা নহয়। আকৌ চিত্রকব তোমাব বন্ধু,নাইবা তুমি তিকতা দেখিলেই বলিয়া, এনেকুৱা বিলাক কাবণত যদি তুমি ছবিখন ভাল হৈছে বুলি কোৱা সিও সমালোচনা নহয়। যদি তুমি চিত্রকবে বেয়া পাব বুলি ভয় কবি ছবিখন ভাল বোলা সিও সমালোচনা হব নোৱাবে। তুমি ছবিখন কেনে আঁকিলে, কেনেকৈ, কিয়, কেতিয়া ইত্যাদি খবৱবোব লোৱাৰ আৱশ্যক নাই; তুমি মাত্র জানিব লাগিব এইবন এখন ছবি। সমালোচনাব মূলমন্ত্র হৈছে নিবপেক্ষতা। কোনো এটা বস্তু সমালোচনা কবিবলৈ গলে মনব পবা সকলো কুসংস্কাব, স্বার্থপবতা, পক্ষপাতিতা আদি আঁতৰ কবিব লাগিব; মন মুকলি কবিব লাগিব; মনক স্বাধীনতা দিব লাগিব; চাব লাগিব বস্তুটো আচলতে কি, ভাল নে বেয়া; ক'ত ভাল আক ক'ত বেয়া—আনে যি কওক। এয়েই সমালোচনাব চমু আভাস।

এতিয়া চোৱা যাওক সাহিত্য ক্ষেত্রত তাব আৱশ্যকতা কিমান। সমালোচনা এটা গঠনমূলক শক্তি। এখন উপন্যাসে যদি ভাল সমালোচনা নাপায় তেনেহলে তাত দোষ থাকিলে সেই দোষবিলাক থাকি যাব পাবে আক তাব গুণবিলাক ফুটি ওলোৱাত ব্যাঘাত হব পাবে। যি সমালোচনাই কবি কীটচক মাবিলে যদি তেনে সমালোচনা আহে তেন্তে কিতাপখন যিমানেই ভাল নহক সি অথলে যাব। যদি স্বার্থপব সমালোচনা আহে তেন্তে দোষবিলাক বৈ যাব। নিবপেক্ষ সমালোচনাই তাব দোষ-

বিলাক আঙুলিয়াই দি গ্রন্থকাৰক সাৱধান কৰি দিব আৰু পঢ়োতা সকলক তাৰ ক'ত সৌন্দর্য্য আছে তাকো দেখুৱাই দিব। এইখিনিতে কোৱা উচিত যে নিজৰ দোষ নিজে ধৰা টান আৰু সকলোবে দোষ-গুণ বিশ্লেষণ কৰি পঢ়িবলৈ সময় আৰু শক্তি নাই। কিতাপখন কি সত্যৰ ওপৰত প্রতিষ্ঠা কৰা হৈছে আৰু কি ভাল ভাল ভাব তাত সমাবিষ্ট হৈছে তাক এজন নিৰপেক্ষ সমালোচকে দেখুৱাই দিব লাগিব। চাব লাগিব তাত কি বিশ্বজনীন সত্য আৰু বিশ্বজনীন ভাব আছে ; ভাষা, অলঙ্কাৰ আৰু বচনাপদ্ধতি ভাল হৈছে নে নাই ; আৰু তাৰ পৰা আমি কি নতুন কথা শিকিলোঁ। সমালোচনাৰ দ্বাৰাহে কোনো এটা বস্তুৰ সৌন্দর্য্য উলিয়াব পাৰি।

সকলো সময়তে ভাল সাহিত্য লিখা সম্ভৱ নহয়। ইয়াৰ কাৰণ ভাবৰ অভাৱ। জাতীয় ভাবৰ অভাৱ হলে ভাল সাহিত্য ওলোৱা টান। সাহিত্যিকৰ কাম হৈছে জাতীয় আকাশবপৰা ভাববাশি ধৰি আনি তাৰ দ্বাৰা সাহিত্য গঢ়িব। কিন্তু ভাব নাথাকিলে সি হব নোৱাবে। ভাল সাহিত্য গঢ়াত দুটা শক্তিৰ প্রয়োজন—মানুহৰ শক্তি আৰু সময়ৰ শক্তি। ডান্টে, কার্ভেন্টিচ, চেক্ষপীৰ, টলষ্টয়, ৰবীন্দ্রনাথ আদি সকলোৱে এই দুই শক্তিৰ সম্মিলনতহে বিশ্বসাহিত্যিক হব পাৰিছে। জাতীয় আকাশ কোনো কোনো সময়ত সময়ৰ সোঁত আৰু ঘটনাৰ সোঁতত এনেয়ে ভাবপূর্ণ হৈ পৰে। চেক্ষপীৰৰ সময়ত ইংলণ্ডৰ জাতীয় আকাশ ঠিক এনেকৈ ভাবপূর্ণ হৈ পৰিছিল। কিন্তু প্রথম জেম্চৰ দিনবপৰা বাণী এনৰ দিনলৈকে ইংলণ্ডৰ জাতীয় আকাশত ভাবৰ (ভাব মানে ইয়াত বিশ্বজনীন ভাল ভাব) অভাৱ দেখা গৈছিল। এনেকুৱা ভাবহীন অৱস্থাত সমালোচনাই ডাঙৰ কার্য্য সাধন কৰে। ভাল সমালোচনাই এনে সময়ত এক বিবেক আৰু বুদ্ধিৰ আকাশ সৃজন কৰে। এই বিবেক আৰু বুদ্ধিয়ে কিছুমান ভাবৰ অৱতাৰণা কৰে আৰু সর্ব্বোচ্চ ভাববিলাক স্থায়ী কৰিবলৈ যত্ন কৰে। লাহে লাহে এই ভাববিলাকে সমাজত ঠাই পায় ; এই ভাব আৰু মানুহৰ জীৱনৰ এই দুটাৰ সন্নিবেশত এক নতুন সাহিত্যৰ যুগৰ সৃষ্টি হয়। ইংলণ্ডত কবি ৰর্ডচৰর্থৰ দিনৰ আগতে ঠিক এনেকুৱা হৈছিল। পোপ, ড্রাইডেন আদিৰ কাঠকঢ়া বীৰৰ কবিতাৰ মাজেৰে মনস্বী সকলে আকাশবাণী কবিলে—প্রকৃতিৰ বৃকত আশ্রয় লোৱা। তাৰ ফল ৰর্ডচৰর্থ আদি কবি সকল। টেনিচনৰ আগতে আৰো সমালোচনাৰ আকাশী বাণীয়ে কলে—সত্যৰ আশ্রয় লোৱা ; আৰু তাৰ ফল ভিক্টৰীয়াৰ যুগৰ সাহিত্য। সমালোচনাই পৃথিবীৰ ভিতৰত যিটো ভাল বুলি জনা আৰু ভবা যায় তাক শিকিবলৈ আৰু স্থায়ী কৰিবলৈ যত্ন কৰে। সমালোচনা নহলে ভাল সাহিত্য হব নোৱাৰে। পৃথিবীৰ চম অদ্ভুত চেক্ষপীৰো সমালোচনা নহলে ইংলণ্ডৰ বাহিৰ হব পাৰিলে হেঁতেন নে নোৱাৰিলে হেঁতেন সন্দেহ।

সমালোচনা কেনেকৈ কৰিব লাগে এই বিষয়ে বিখ্যাত ইংৰাজ সমালোচক মেথিউ আর্ণল্ডে কৈছে যে সমালোচনা প্রথমতে তুলনাৰ দ্বাৰা কৰিব লাগে ; তাৰ পিছত নিজৰ স্বাধীন মনেৰে। পৃথিবীত কিছুমান বস্তু আছে যাক সমগ্র মানৱ জাতিয়েই উৎকৃষ্ট বুলি স্বীকাৰ কৰে। যেনে—তাজমহল, কালিদাস, চেক্ষপীৰ। যদি তাজমহলৰ দৰে কোনো মন্দিৰ, কালিদাস, চেক্ষপীৰৰ দৰে কোনো নাটক তোমাৰ আগত পৰে তেন্তে মন্দিৰক মন্দিৰৰ লগত আৰু নাটকক নাটকৰ লগত মিলাই চোৱা যদি সাদৃশ্য পোৱা, যদি নাটকখনে চেক্ষপীৰৰ সমান নহলেও সেই শাৰীত ঠাই পাব পাৰে তেন্তে তাক সেই শাৰীত ঠাই দিয়া ; কোৱা নাটকখন ভাল। চেক্ষপীৰৰ কিমান ঔতবত বা তত্ত নাটক এখনে ঠাই পোৱা উচিত তাকে সঠিককৈ নিৰূপণ কৰিব পাৰিলেই তাৰ প্রকৃত সমালোচনা হব। কিন্তু সমালোচকে এটাতকৈ বেছি সাহিত্য জনা আৱশ্যক ; তেহে তুলনা সম্ভৱপৰ হয়। এই নিয়ম সকলো দেশতে, সকলো সাহিত্যতে আৰু সকলো বস্তুতে খাটে। সমালোচনাই সাহিত্যৰ ভেটি শকত কৰে আৰু তাৰ সৌন্দর্য্য বঢ়ায়। *

* মেথিউ আর্ণল্ডৰ আভাস লৈ।

শ্রীসূর্য্য পাহাৰৰ পুৰাতত্ত্ব

—শ্রীযুত সর্ব্বেশ্বৰ শর্ম্মা কটকী

গোৱালপাৰা চহৰৰপৰা ডোবাপাৰা বাস্তাইদি সাত মাইল গলে শ্রীসূর্য্য পাহাৰ নামে এখন পাহাৰ পায়। তাহানি বাঁহীত এই পাহাৰৰ বিৱৰণমূলক এটি প্রবন্ধ প্রকাশ পাইছিল। শ্রীসূর্য্য পাহাৰত পুৰাতত্ত্ব সম্বন্ধীয় অনেক বস্তু আৰু চিন আছে। এই পুৰাতত্ত্ববোৰৰ ভাল আলোচনা হলে অসমৰ ইতিবৃত্তত অন্ধকাৰ যুগত যে নতুন বশি পৰিব তাৰ অকণো সন্দেহ নাই। আমি এইবাৰ প্রাচীন সম্পদ সংগ্রহ কার্য্যত যাওঁতে এই ঠাই পৰিদর্শন কৰি তাত অলেখ পুৰাতত্ত্বৰ চিন দেখি আহিছো। শ্রীসূর্য্য পাহাৰৰ চাৰিওফেৰে পর্ব্বতৰ গাত দেৱদেৱীৰ অনেক মূর্ত্তি শিলত কটা আছে। ঘাইকৈ শিৱলিঙ্গ যে এই পাহাৰত কিমান আছে তাৰ লেখ-জোখ নাই। কোনো কোনো ঠাইত উঠিবলৈ হলে শিৱলিঙ্গৰ ওপৰত ভৰি দিহে উঠিব পাৰি। এই পর্ব্বতৰ পুবফালৰ এডোখৰ ঠাইত এশিলে শিৱলিঙ্গ, আনশিলে শিৱলিঙ্গ, শিৱলিঙ্গৰ ওপৰত শিৱলিঙ্গ। পুৰ্ণে এই পাহাৰত ইমানবোৰ শিৱলিঙ্গ স্থাপন কৰি যেন দ্বিতীয় কাশী স্থাপনৰ আয়োজন চলিছিল। এই শিৱলিঙ্গবোৰ আৰু বিভিন্ন দেৱদেৱীৰ মূর্ত্তিবোৰ "গ্রেনাইট" শিলত কটা আৰু এইবোৰ ইমান পুৰণি যে শিলবোৰ চেকুৱা চেকুৰিকৈ বঢ়াত মূর্ত্তিৰ অঙ্কিত বা খোদিত ভাগবোৰ পোত খৈছে। পর্ব্বতৰ পুবফালে এচটা প্রায় ১০০ হাতমান দীঘল গ্রেনাইট শিলত শাৰীকৈ কেইবাটাও বিষ্ণু মূর্ত্তি আছে। ঠাৰ পিছত এটা কলডিলীয়া শিলত প্রায় ৮ ফুটমান ওখ এখন সুন্দৰ দশভুজা মূর্ত্তি অঙ্কিত আছে। এই দশভুজা মূর্ত্তিৰ পাছফালে যৎকিঞ্চিৎ ওখত থাকুথাককৈ অসংখ্য শিৱলিঙ্গ শিলত কটা আছে। কোনোটো শিৱলিঙ্গ কাতি হৈ পৰিছে, কোনোটো উবুৰি হৈ আছে, কোনোটোৰ ওপৰত ভৈষ্য গছ গজিছে, কোনোটো ছফালে হৈ ফাটি আছে। কোনোটোত আকৌ সুন্দৰ শিলত কটা ঘটঘটী আছে। সোঁহাতৰ ফালে এটা দীঘলীয়া শিলত মন্দিৰৰ দৰে খোবোং কটা আছে। এই খোবোংবোৰৰ ভিতৰত একোটা শিলৰ শিৱলিঙ্গ। এইবোৰ দেখি এনেটো অনুমান হয় যে ভাৰতবর্ষত শৈৱধর্ম্মৰ উথানৰ লগে লগে এই মূর্ত্তিবোৰ স্থাপিত হৈছিল। পিছত বৈষ্ণৱ ধর্ম্মৰ প্রাদুর্ভাবৰ সময়ত বিষ্ণুমূর্ত্তিবোৰ স্থাপিত হৈছিল। তাৰ পিছত তান্ত্রিক ধর্ম্মৰ অভ্যুদয়ৰ সময়ত দশভুজাৰ মূর্ত্তি স্থাপিত হৈছিল। কিয়নো একে গ্রেনাইট শিলত কটা মূর্ত্তিবোৰৰ কিছুমান অস্পষ্ট হৈছে, কিছুমান হোৱা নাই। দশভুজা মূর্ত্তিখনৰ অঙ্গ-



শ্রীসূর্য্য পাহাৰত বিষ্ণুমূর্ত্তি

প্রত্যঙ্গ আৰু ভাবভঙ্গীবোৰ, যদিও শিল বাঢ়িছে, তথাপি অস্পষ্ট হোৱা নাই। বিষ্ণুমূর্ত্তিবোৰ দুর্গামূর্ত্তিখনতকৈ অলপ অস্পষ্ট। শিৱলিঙ্গবোৰৰ নিমজ্জ মূর্ত্তিবোৰ শিল বাঢ়োতে

বাঢ়োতে তাতোকৈ ফুটফুটীয়া হৈ অস্পষ্ট হৈ গৈছে। কিমান বছৰত গ্ৰেনাইট শিল কি পৰিমাণে বাঢ়ে তাক নিৰাকৰণ কৰিব পাৰিলে এই মূৰ্ত্তিবোৰৰ বয়স ওলাই পৰে। ইয়াত দিয়া মূৰ্ত্তিবোৰৰ প্ৰতিকৃতিয়ে আমাৰ কথাৰ প্ৰমাণ দিব।



শ্ৰীসূৰ্য্য পাহাৰৰ দশভুজা মূৰ্ত্তি

এই ঠাইৰ পৰা অলপ পশ্চিমে উজাই ওপৰলৈ গলে বাটৰ কাষে কাষে বহুত শিৱলিঙ্গ পায়। ক্ৰমাৎ উঠি গৈ থাকিলে ওপৰত এটা শিলৰ গহ্বৰ পায়। স্বভাৱতে তিনিফালৰ পৰা তিনিটা ঘৰৰ চাল যেন প্ৰকাণ্ড শিল আওজি থকাৰ দৰে থকাত ভিতৰত প্ৰায় ১০ ফুট আহল-বহল এটা গহ্বৰ হৈছে। শিলৰ ওপৰত ভৈৰা আঁহতগছে শিপাৰে আগুৰি পেলাইছে। এই গহ্বৰৰ ভিতৰ ফালে পূৱমুৱাকৈ থকা শিলৰ চাল খনত এটা মূৰ্ত্তি অঙ্কিত আছে। এই মূৰ্ত্তিৰ লক্ষণবোৰ চাই দ্বাৰপালৰ মূৰ্ত্তি যেন অনুমান হল। মূৰ্ত্তিৰ মূৰৰ সাজ আৰু হাতৰ মুদ্ৰা দেখিও মূৰ্ত্তিবিদ্যা অনুসাৰে অতি প্ৰাচীন বুলি প্ৰমাণিত হয়। এই মূৰ্ত্তিৰ ৪ ইঞ্চি তলত পাঁচোটা আখৰ আছে। এই আখৰবোৰৰ গঢ় ব্ৰাহ্মী লিপিৰ দৰে। আমি হৰ্ণলি চাহাবৰ আখৰৰ প্ৰতিলিপিৰ লগত মিলাই তিনটা আখৰৰ মিল পাইছোঁ। অৱশ্যে বুহলাৰ চাহাবৰ পুৰালিপিৰ নিদৰ্শনৰ লগত মিলাই চাবলৈ সুযোগ পোৱা নাই। আৰ্য্যাবৰ্ত্তবাসী বিলাকৰ সকলোতকৈ প্ৰাচীন আখৰ হৈছে ব্ৰাহ্মীলিপি। মহাৰাজ অশোকৰ দিনত এই ব্ৰাহ্মীলিপিৰ পৰিণত অৱস্থাৰ লিপিৰে অনুশাসন বিলাক লিখিত হৈছিল। যদি শ্ৰীসূৰ্য্য পাহাৰৰ আখৰ ব্ৰাহ্মীলিপি অনুমানটো সঠিক হয় তেন্তে ই কিমান দিনৰ পুৰণি তাক ঐতিহাসিক সকলক আৰু দুনাই কব নালাগে। পাহাৰত থকা আখৰ কেইটিৰ পোহৰপট বা ফটো আনিব নোৱাৰাত পাঠক সমাজক প্ৰত্যক্ষ প্ৰমাণ দিব পৰা নগল।

শিলৰ গহ্বৰৰ ওপৰত ৮ ফুট দীঘল, ২½ ফুট পুতল, ৪½ ইঞ্চিমান ডাঠ চটীয়া কেখনমান খাঁজ কটা শিলৰ পাট আছে; দেখিলে অনুমান হয় শিলৰ তক্তা। শিলকটিয়াৰে শিল কাটি কাটি কৰা অস্ত্ৰৰ কোবৰ চিনো আছে। তাৰ পৰা নামি আহোঁতে বাটত কেইটামান ১০০ কি ১৫০ ফুট মান বেৰৰ বৌদ্ধমঠৰ দৰে শিলত কটা থুম আছে। এই থুমবোৰ পিতলৰ ঘণ্টা—বেৰৰ দৰে গুৰিৰ পিনে ঘূৰণীয়া আৰু ক্ৰমাৎ ওপৰলৈ সৰু হৈ উঠা। ওপৰত যেন শিলত কুন্দুৱা চূড়া আছিল। তেনে কুন্দত কটা যেন এটা চূড়া মাটিত পোত খাই আছে। ঠিক এনে ধৰণৰ কুন্দত কটা যেন শিলৰ চূড়া আমি পঞ্জাবত তক্ষশিলাৰ ভগ্নাৱশেষ চাওঁতে দেখা যেন পাইছিলোঁ। বৌদ্ধমঠাকৃতি এই শিলৰ স্তম্ভকেইটিয়ে অসমত বৌদ্ধিধৰ্ম্মৰ প্ৰভাৱ হৈছিল নে নাই এই দ্ব্যৰ্থবোধক উক্তিৰ সাপেক্ষে প্ৰমাণ দিয়ে।

এই ঠাইৰ পৰা নামি আহোঁতে ভৈয়ামত এটা শিলৰ মন্দিৰ থকাৰ ভগ্নাৱশেষ দেখা যায়। সেই ভগ্নাৱশেষৰ মাজত এচটা মূৰ্ত্তি কটা শিল পোৱা যায়। এই শিলটোক শ্ৰীসূৰ্য্যৰ মূৰ্ত্তি বুলি মানুহে কয়। কিন্তু আমি পৰ্য্যবেক্ষণ কৰি দেখিলো যে ই ৰাশিচক্ৰ অঙ্কিত শিল। আমাৰ দেশৰ নৱগ্ৰহ মন্দিৰ আৰু শ্ৰীসূৰ্য্য পাহাৰৰ ৰাশিচক্ৰ অঙ্কিত শিলে প্ৰাচীন জ্যোতিষতত্ত্বৰ সাক্ষ্য দিয়ে। এইবোৰ বিষয় বিস্তাৰিত আলোচনা কৰিবৰ মন থাকিলেও সুযোগ নিমিলে। দেশৰ ৰজা-প্ৰজা সকলোৱে আৰ্থিক সহায় কৰি ইতিহাসৰ প্ৰকৃত উপাদান সংগ্ৰহ আৰু উদ্ধাৰ কৰাৰ ক্ষণ মিলিছেহি। সামৰণিত ইয়াকে কওঁ যে শ্ৰীসূৰ্য্য পাহাৰৰ পুৰাতত্ত্ব অসমদেশৰ প্ৰাচীন সভ্যতাৰ কালনিৰূপণৰ জোখকাঠী।

খাম্বা-থোইবীৰ সাধুকথা

(আগৰ সংখ্যাৰ পিছৰপৰা)

উপন্যাস— —শ্ৰীযুত ৰজনীকান্ত বৰদলৈ, বি-এ

লোগ্‌তাক্ হ্ৰদত মাছ মাৰোঁতে অনুৰোধ কৰামতে খুম্‌নুৱে পিছদিনা থোইবী আইদেৱৰ তালৈ গৈ থোইবীক লগতে তেওঁলোকৰ ভগা ঘৰলৈ লৈ আহিল। ঘৰটো ভগা-ছিগা দেখিও থোইবীয়ে একো নকৈ ঘৰটোৰ উত্তৰফালৰ খুটা এটাত আওজি ৰঙা থঙা এখান পাৰি বহিল। সেই সময়ত খাম্বাই লাজতে ঘৰটোৰ দক্ষিণ মুখে এখান থিয় কৰি থোৱা ঢাৰিৰ আঁৰত বহি আছিল। সেই মুখত তেওঁবিলাকৰ ইষ্টদেৱতা খুমন পোকপাৰ থাপনা এখান আছিল। আন আন কথা-বতৰা হোৱাৰ পিছত থোইবীয়ে খুমনুক সুধিলে—"সখী! ঘৰটোৰ সৌমুখে ঢাৰিখানৰ আঁৰত কি আছে?" খুমনুৱে উত্তৰ দিলে—"সখী! তাত আমাৰ ইষ্টদেৱতা খুমন্ পোকপাৰ থাপনা এখান আছে।" খুম্‌নুৱে এই উত্তৰ দিয়াত থোইবীয়ে সেই ফাললৈ চাই মূৰ দোঁৱাই প্ৰাৰ্থনা কৰিলে—"হে প্ৰভু দয়াময়! মই দাসীয়ে প্ৰাৰ্থনা জনাওঁ, মই যেন এই ঘৰতে চিৰজীৱন থাকি তোমাক সেৱিবলৈ পাওঁ। যেন মই মোৰ সখীৰ এই ঘৰতে থাকিবলৈ পাওঁ।" থোইবীৰ এই প্ৰাৰ্থনা শুনি খুম্‌নুৱে মিচিককৈ হাঁহি এটা মাৰি কলে, "সখী! তুমি ক্ষন্তেক বহা। মই ওচৰৰ সৌ দোকানখনৰপৰা অলপ ফল আনোগৈ।" এই বুলি কৈ আকৌ মাত লগালে—"দাদা! কিমান পৰ নো শোৱা। উঠা। আমাৰ ঘৰলৈ আইদেউ আহিছে। তুমি কথা-বতৰা হোৱাহি—মই দোকানৰপৰা আহোঁ।" এই বুলি কৈ খুম্‌নু দোকানলৈ গল। খাম্বাই এঙামুৰি দিয়া যেন দেখুৱাই লাহেকৈ ওলাই আহিল আৰু থোইবীক দেখি কলে, "কুৱঁৰী! তুমি আমাৰ এই ভগা ঘৰ চাবলৈকে আহিলা। কি চাবা! যদিও আগৰ এঘৰ ৰজাৰে বা ৰাজবংশৰে মই নাতি-লৰা, তথাপি এতিয়া দুখত পৰিছোঁ আইবোপাই মৰাত।" থোইবীয়ে কলে, "দুখত পৰিলে ঘৰ-দুৱাৰ ভগা-ছিগা হব পাৰে কিছুমান দিনলৈ; কিন্তু সেই বুলি বংশ-গৌৰৱ, বংশৰ মান-মৰ্য্যাদা কলৈ যাব? যোজনাত কৈছে, "ফটা হওক চিটা হওক পাতৰ টঙালি, ভগা হওক ছিগা হওক ৰজাৰ পোৱালি।"

খাম্বা—"তেনেহলে কুমাৰী! তুমি আমাক দুখীয়া বুলি ঘিণ নকৰা।"

থোইবী—"কেলেই নো ঘিণ কৰিম? যদিও তুমি এতিয়া দুখী অৱস্থাত আছা, তথাপি কোনে জানে তুমি এসময়ত সুখীয়া, ধনী, মানীও হব নোৱাৰিবা?"

খাম্বা—"হয় তুমি সঠিক কথা কৈছা। পিছত কথা এটা সুধিব খুজিছে।"

থোইবী—"নিঃসন্দেহে কোৱা কি কব খুজিছা।"

খাম্বা—"মই এই দুপৰীয়া শুই থাকোঁতে সপোন এটা দেখিলো। সপোনটো এই—যেন এজনা ৰজাৰ জীয়াৰী অতি সুন্দৰী, অপৰূপ লাৱণ্যৱতী, আমাৰ ঘৰলৈ আহি আমাৰ ইষ্টদেৱতা খুমন্ পোকপাত সেৱা জনাই বৰ মাগিছে যেন তেওঁ আমাৰ এই ভগা ঘৰতে চিৰকাললৈ থাকিব। এই সপোনটো দেখি মই যেন কৈছোঁ "হে মোৰ প্ৰাণৰ দেৱতা! তুমি নো এই দীনদুখীক এনেকুৱা অনুগ্ৰহ কৰিবা নে? প্ৰভু! তুমি দেখোন মোৰ ঘৰলৈ লক্ষ্মীক আনিছা।" এনেতে খুম্‌নুৱে মতাত মই সাৰ পালো। কোৱাচোঁ কুৱঁৰী সেইজনা ৰাজকুমাৰী তুমিয়েই নে আন কোনোবাহে?"

খাম্বাৰ এই কথাত থোইবীয়ে লাজতে তলমূৰ কৰি মাটিত লেখিব ধৰিলে। থোইবীৰ মুখত খং বা বেজাৰৰ

ভাব নেদেখি খাম্বাই আগুৱাই গৈ থোইবীৰ হাতত ধৰিলে। থোইবীয়ে হাত আজোৰ মাৰি যে নিনিলেই, বৰং এটা আনন্দৰ ভাব দেখুউৱাত খাম্বাই কলে, "তেন্তে ৰাজকুমাৰী! মই ধৰি লম নে তুমি মোক ভালপোৱা?" থোইবীয়ে এই প্ৰশ্নৰো উত্তৰ নিদি মনে মনে থাকিল। তেতিয়া খাম্বাই আকৌ কলে, "ৰাজকুমাৰী! মই বুজিলোঁ তুমি এই দুখীয়াক ঘিণ নকৰা। মই এই খুমন পোকপালৈ চাই শপত কাঢ়িলোঁ যে মই এই জনমত তোমাত বাজে কোনো তিৰোতাকে ভালো নাপাম, বিয়াও নকৰাওঁ। যদি তুমি মোক ভালপোৱা আৰু মোৰ এই কথাত অসন্মত নোহোৱা তেন্তে আহা দুয়ো আঁঠু লৈ এই খুমন পোকপাৰ আগত প্ৰতিজ্ঞা কৰোঁ আৰু আমি গন্ধৰ্ব্ব নিয়মমতে বিয়া কৰাওঁ।" খাম্বাৰ এই প্ৰস্তাৱত থোইবীয়ে সেই ঠাইৰপৰা উঠি খাম্বাৰ হাতত ধৰাধৰি কৰি গৈ খুমন পোকপাৰ আগত দুয়ো আঁঠু লৈ সেৱা কৰি কলে "হে প্ৰভু! আজিৰপৰা আমি দুয়ো বিবাহ বন্ধনত ৰলোঁ। হাজাৰ সুখ হওক, দুখ হওক দুইকোদুয়ো কেতিয়াও ইজনমলৈ আন কি জন্ম-জন্মান্তৰলৈকো এৰাএৰি নকৰোঁ।" এই বুলি উভয়ে শপত কাঢ়িলে। তাৰ পিছত থোইবীয়ে হাতৰ সোণৰ বাজু এপাত উলিয়াই খাম্বাই আনি দিয়া পানী এবাটিত সেই বাজু পাত তিয়াই দুয়ো সেই পানী পিলে। তাৰ পিছত খুমন্ পোকপাৰ গলত থকা ফুলৰ মালাধাৰ আনি প্ৰথমে থোইবীয়ে সেই মালাধাৰ খাম্বাক পিন্ধাই দি খাম্বাক সেৱা এটা কৰিলে। পিছত খাম্বাই সেই মালাধাৰকে নিজৰ গলৰপৰা সোলোকাই থোইবীক পিন্ধাই দি থোইবীৰ শিৰত চুমা খালে। ঠিক এইখিনি সময়তে খুম্নুৱে ফলমূল লৈ আহি কাণ্ডটো দেখিলে। থোইবীয়ে লাজত তলমূৰ কৰাত খুম্নুৱে ওচৰ চাপি থোইবীৰ হাতত ধৰি কলে— "সখী! তুমি আজিৰ পৰা মোৰ বৌ হলা। মোৰ দুখীয়া ভাইলৈ যে তোমাৰ ইমান মৰম উপজিল সেই বাবে ময়ো খুমন্ পোকপা দেৱতাৰ চৰণত শতকোটী দণ্ডবৎ জনাওঁ।" এইবুলি কৈ দোকানৰ পৰা অনা ফলমূল বিলাক কাটিকুটি দুয়োকো খুৱালে, নিজেও অলপ খালে। ইয়াৰ পিছত থোইবীয়ে খাম্বাক কলে— "মোৰ প্ৰাণৰ স্বামী-দেৱতা! মই আজিলৈ আহিলোঁ। যদিও আমি উভয়ে আমাৰ দেশত চিৰকালে চলি অহা গন্ধৰ্ব্ব প্ৰথামতে বিবাহত আবদ্ধ হলো—তথাপি যি পৰ্য্যন্ত মোৰ পিতৃদেৱতাই মোক নিয়মমতে বিয়া দি উলিয়াই নিদিয়ে সেই পৰ্য্যন্ত মই আপোনাৰ লগত থাকিব নোৱাৰো। থাকিলে সমাজত বৰ কলঙ্ক হব। হয় তো পিতাদেৱে আমাক উভয়কে কাটিও পেলাব। সেই দেখি প্ৰাণনাথ! আপুনি ধৈৰ্য্য ধৰি থাকক। আপুনি ঘৰতে নাথাকি ৰাজবিষয়া সকলে সৈতে চলকৰ কৰি মোৰ ৰজা খুৰাদেৱৰ এজন ওখ বিষয়া হব পাৰিলেই আপোনাৰে-মোৰে বিয়াৰ একো প্ৰতিবন্ধক নাথাকিব। আপুনি নিশ্চয়কৈ জানিব যে মই এই জীৱনত পিতাদেৱে দিলেও আন কালৈকো নাযাওঁ। হয় আপোনালৈকে আহিম—নহয় নিজে নিজে বিষ খাই মৰিম।" খুম্নুক কলে—"ভনীটী! আজিলৈ আহিলো। সুবিধা পালেই তুমি মোক গৈ ইয়ালৈ আনিবা।" থোইবীৰ এই কথাত খুমনুৱে থোইবীক দুয়ো গালে দুটা চুমা খালে। থোইবীয়ে খাম্বাক সেৱা কৰিলে; খাম্বাই মূৰত ধৰি আশীৰ্ব্বাদ দিলে। থোইবী নিজ ঘৰলৈ গল আৰু এই ঘটনাৰ পিছদিনা খুম্নুলৈ বুলি এভাৰ ফলমূল, ভাল ভাল খোৱা বস্তু, পিঠাপনা পঠিয়াই দিলে।—ক্ৰমশঃ

———

সঙ্গীত আৰু শ্ৰীশ্ৰীশঙ্কৰদেৱ গায়ন*

—শ্ৰীযুত বিষ্ণুপ্ৰসাদ ৰাভা

মনিষী কাউণ্ট্ হাৰমেন কাইচাৰ্লিঙে কৈছে, "হিন্দু-সকলে মনৰ নীচ বৃত্তিবোৰকো যেনেকৈ দৈৱীভাব দিছে, জগতৰ আন কোনো জাতিয়ে ঠিক তেনেকৈ দিব পৰা নাই। একমাত্ৰ হিন্দুকলাই ইন্দ্ৰিয়াতীত বস্তুক ইন্দ্ৰিয়গ্ৰাহ্য কৰি দৃশ্যজগতত প্ৰকাশ কৰিবলৈ সমৰ্থ। এটা নটৰাজ শিৱত যি দেৱত্ব বিৰিঙ্গি ওলায় সেই দেৱত্ব আলীম্পীয়বিলাকৰ ভিতৰত নাই। ...হিন্দুকলাই পূৰ্ণবিকাশ লাভ কৰিছে; তাৰ লগত আমাৰ কলাৰ তুলনা নহয়। আমাৰ আৰ্টে যেন স্থূল আকৃতিৰ সৌন্দৰ্য্য প্ৰকাশ কৰে; আমাৰ ক্ৰাইষ্ট, মেডোনা আৰু মহাপুৰুষসকলৰ ছবি যেন এই পৃথিবীৰ মানুহ। মান্দ্ৰাজৰ মিউজিয়মত এটা শিৱমূৰ্ত্তি দেখি মই বৰ আচৰিত হৈ যাওঁ। শিল্পীয়ে যেন অন্তৰৰ অসীমক উপলব্ধি কৰি সীমাৰ মাজত তাক প্ৰকাশ কৰিছে।..."

সঙ্গীতকলাতো হিন্দুঋষিসকলে অন্তৰৰ অসীমক উপলব্ধি কৰি সীমাৰ মাজত তাক প্ৰকাশ কৰিছে। সঙ্গীত কেৱল গানেই নহয়; তাত বাদ্য আৰু নৃত্যও আছে। গীতং বাদ্যঞ্চ নৃত্যঞ্চ ত্ৰয়ঃ সঙ্গীতমুচ্যতে।" সঙ্গীতক তৌৰ্য্যত্ৰিকো বোলে। গীতং বাদ্যং তথা নৃত্যং তৌৰ্য্যত্ৰিকমিদং মতম্।" চাৰিখন বেদ সৃষ্টি কৰাৰ পিছত ব্ৰহ্মাই এই বেদ কেইখনৰ সাৰ লৈ সঙ্গীত নামেৰে পঞ্চম বেদ প্ৰণয়ন কৰে। "পূৰ্ণচতুৰ্ণাং বেদানাং সাৰমাকৃষ্য পদ্মভূঃ। ইদন্তং পঞ্চমং বেদং সঙ্গীতাখ্যামকল্পয়ৎ॥"—(সঙ্গীত সংহিতা)

সঙ্গীত দুবিধ—মাৰ্গ আৰু দেশী। "মাৰ্গ অন্বেষণে" মাৰ্গধাতুৰ অৰ্থ অন্বেষণ অৰ্থাৎ ব্ৰহ্মাদিয়ে চতুৰ্ব্বেদত অন্বেষণ কৰি যি সঙ্গীত প্ৰবৰ্ত্তিত কৰিছে তাক "মাৰ্গ সঙ্গীত" আৰু দেশে দেশে ভিন্নৰুচিৰ মানুহৰ হৃদয়ৰঞ্জনৰ কাৰণে যিবিলাক গীত-বাদ্যনৃত্য প্ৰবৰ্ত্তিত হৈছে তাক "দেশী সঙ্গীত" বোলে।

আৰ্য্যসঙ্গীতবিজ্ঞানৰ মতে সঙ্গীতৰ উৎপত্তি নাদত। ওঙ্কাৰপ্ৰণৱেই নাদ। যি ওঙ্কাৰধ্বনি গোটেই বিশ্বত বিয়পি আছে, যি ওঙ্কাৰধ্বনিয়ে গোটেই সৃষ্টিক এক অদৃশ্য ডোলেৰে বান্ধি থৈছে সেই ওঙ্কাৰেই নাদ; সেই ওঙ্কাৰেই ব্ৰহ্ম; সেই ওঙ্কাৰেই ভূৰ্ভুবঃ স্বঃ; সেই ওঙ্কাৰেই সচ্চিদানন্দ আনন্দৰূপং যদ্বিভাতি; সেই ওঙ্কাৰেই সত্যং শিবং সুন্দৰম্; সেই ওঙ্কাৰেই অক্ষৰমুদ্গীথমুপাসীতং সৰ্ব্বম্। ন নাদেন বিনাগীতং, ন নাদেন বিনাস্বৰঃ, ন নাদেন বিনা ৰাগস্তস্মান্নাদাত্মকং জগৎ। ন নাদেন বিনা জ্ঞানং, ন নাদেন বিনা শিবঃ। নাদৰূপং পৰং জ্যোতি নাদৰূপং পৰং হৰি।

এয়েই হল সঙ্গীতৰ আদি নাদৰ উৎপত্তি, ব্যাপ্তি আৰু মহিমা। এই নাদৰ এককটোতে জীৱাত্মা আৰু পৰমাত্মাৰ প্ৰতিবিম্ব প্ৰতিফলিত হয়। যি পৰমাণুৰ সমষ্টি আকাশৰ উৎপত্তিৰ কাৰণ, তাৰ প্ৰতি কম্পনতেই নাদৰ উৎপত্তি। তমোগুণান্বিত নাদক "নিৰোধিকা" আৰু তাত ৰজোগুণৰ মিহলি হলে "অৰ্দ্ধেন্দু" বোলে। এই "অৰ্দ্ধেন্দুৰ" পৰা উৎপন্ন হলে 'বিন্দু', মূলাধাৰত পৰিপুষ্ট হলে "পৰা", স্বাধিষ্ঠানত উঠিলে "পশ্যন্তি", অনাহত চক্ৰত উত্থিত হলে "মধ্যমা" আৰু বিশুদ্ধ চক্ৰত সমুত্থিত 'বিখৰী' নামেৰে খ্যাত হয়। "বিখৰী'ৰ পৰা ই শেহত দাঁত, ওঁঠ, তালু, জিভা প্ৰভৃতিৰ সাহায্যেৰে বহুবিধ বৰ্ণময় বাক্যত পৰিণত হয়। ইয়াক সুকৃতি বৰ্ণাত্মক বোলে। ইয়াৰে আমি গান গাওঁ আৰু কথা কওঁ। কোনো এটা জড়বস্তুত আঘাত কৰিলে যি শব্দ হয়, তাক অকৃতি বা ধ্বন্যাত্মক বোলে। এই ধ্বন্যাত্মকেৰে আমি খোল, ঢোল, তবলা, বীণা, তাল, দোতোৰা বজাওঁ। সেই ওঁৰূপী নাদক অনাহত ধ্বনিও বোলে। সেই অনাহত

* অসমৰ এই মহাপুৰুষজনক গায়ন হিচাপে নধৰিলে তেওঁৰ সঙ্গীতৰ বিষয়ে কেইআষাৰমান লিখিবলৈ টান যেন বোধ হয়। গতিকে ইয়াত কিবা দোষ দেখিলে ৰাইজে ক্ষমা কৰে যেন।—লিখক

ধ্বনিয়েই ওঁ তৎসৎ। ই গোটেই বিশ্বত চেতন-অচেতন সকলোতে ব্যাপ্ত হৈ আছে।

এই নাদৰ ব্যাপ্তি বেছি আকাশতহে। পৃথিৱীমণ্ডিত বায়ুসমুদ্ৰক কোনো বস্তুৰ কম্পনেৰে (vibration) লাৰি দিলে, পানীৰ দৰে ঢৌ উঠি বিয়পি পৰে আৰু বায়ুৰ ঢৌবোৰ আমাৰ কাণত সোমাই শব্দানুভাবক সূক্ষ্ম ছালত লাগিলে মস্তিষ্কত গৈ শব্দৰ অনুভূতি হয়। গতিকে বস্তুৰ কম্পনেই শব্দৰ উৎপত্তিৰ কাৰণ।

বিজ্ঞানমতে পৰিষ্কাৰ আকাশৰ বায়ুৰ উত্তাপ ৬০০ ডিগ্ৰী হলে, সেই বায়ুৱে চেকেণ্ডত প্ৰায় ৭৫০ হাতলৈকে শব্দ নিব পাৰে। কিন্তু বায়ুতকৈ ধাতু ১৪ গুণ বেছি নিয়ে। প্ৰতি চেকেণ্ডত শব্দৰ ৮টা কম্পনৰ কম আৰু ১৬, ৩৮৪ৰ বেছি কম্পন হ'লে কাণেৰে সেই শব্দ শুনা নাযায়। এই কম্পনৰ সহায়েৰে সুৰ ঠিক কৰা হয়। যেনে— চেকেণ্ডত ২৫৬ কম্পনৰ "c" সুৰক "সা" (ষট্ জায়ন্তে ইতি ষড়জ। অৰ্থাৎ যাৰ পৰা ঋ, গ, ম, প, ধ, নি এই ছয়টা সুৰৰ জন্ম হৈছে।) স্থিৰ কৰি ক্ৰমান্বয়ে কম্পন বৃদ্ধি কৰি ২৮৮ বাৰৰ কম্পনলৈ নিয়া হল। তাত যি সুৰ পোৱা যাব, সেই সুৰ "সা"ৰ লগত মিলিব। তাক ঋ বা ঋষভ নাম দি আকৌ ক্ৰমান্বয়ে বঢ়ালে ৩২০ত গান্ধাৰ বা গা, ৩৪১$\frac{১}{৩}$ ত 'মধ্যম' বা মা, ৩৮৪ ত পঞ্চম বা পা, ৪২৬$\frac{২}{৩}$ ত ধৈবত বা ধা আৰু ৪৮০ত নিষাদ বা নি পোৱা যাব। অৱশ্যে, এইবিলাক কম্পনত 'সা' সুৰৰ লগত মিল থাকিব। কিন্তু নিষাদৰ এই ৪৮০ক বঢ়ালে ৫১২ত ২৫৬ৰ দুগুণ সমসুৰৰ আন এটা সা বা ষড়জ পোৱা যাব অৰ্থাৎ আৰু এটা স্বৰগ্ৰাম সৃষ্টি হব। এইদৰে স্বৰগ্ৰামৰ পাছত স্বৰগ্ৰামান্তৰৰ সৃষ্টি হৈয়েই থাকিব। গতিকে 'সা'ৰ কম্পন চেকেণ্ডত ১ স্থিৰ কৰিলে 'সা'ৰ অনুপাতে বাকীবোৰৰ অৰ্থাৎ ঋষভাদিৰ অনুপাত পোৱা যাব। যেনে—সা=১ ; ঋ=১$\frac{১}{৮}$; গ=১$\frac{১}{৪}$; ম=১$\frac{১}{৩}$; প=১$\frac{১}{২}$; ধ=১$\frac{২}{৩}$; নি=১$\frac{৭}{৮}$; স=২। আৰু অন্তৰ (interval) অনুযায়ী উলিয়ালে, বৈজ্ঞানিকমতে এইটোহে হয়। যেন :— সা $\frac{৩৭}{৪৪}$=ঋ$\frac{৯}{৮}$; ঋ$\frac{৩৭}{২৭}$ =গ$\frac{১০}{৯}$; গ$\frac{৩২}{৩৪}$=ম$\frac{১৬}{১৫}$; ম$\frac{৩৬}{১২}$=প$\frac{৮}{৯}$; প$\frac{৪০}{৩৬}$ ধ$\frac{১০}{৯}$; ধ$\frac{৪০}{৪৫}$=নি$\frac{৯}{৮}$; নি$\frac{৪৮}{৪৫}$=স$\frac{১৬}{১৫}$ । হিন্দু সঙ্গীতমতে এই অন্তৰৰ সূক্ষ্ম বিভাগ বোৰক শ্ৰুতি বোলে। এই শ্ৰুতি ২২ টা, যেনে—তীব্ৰা, কুমুদ্বতী, মন্দা, ছন্দোবতী, দয়াবতী, ৰঞ্জনী, ৰতিকা, ৰৌদ্ৰী, বজ্ৰিকা, প্ৰসাৰিণী, প্ৰীতি, মাৰ্জ্জনী, ক্ষিতি, ৰক্তা, সন্দীপাণি, আলাপিনী, মদন্তী, ৰোহিণী, ৰম্যা, উগ্ৰা আৰু ক্ষোভিণী।

সিংহভূপালে তেওঁৰ টীকাত লিখিছে—অত্ৰ আদিশব্দেন ষড়ম মধ্যম পঞ্চমেষু তিসৃণাং তিসৃণাং ঋষভ ধৈবতয়োৰ্দ্বয়োৰ্দ্বয়ো গান্ধাৰ নিষাদয়োৰেকস্যা একস্যাঃ পূৰ্ব্বস্থিতায়াস্ৰুতেঃ স্বৰংপ্ৰতিক উপযোগঃ। এই মতে হব ;

১	২	৩	৪	৫	৬	৭	৮	৯	১০	১১
			:			:		:		
			সা			ৰে		গ		
১২	১৩	১৪	১৫	১৬	১৭	১৮	১৯	২০	২১	২২
	:				:			:		:
	ম				প			ধ		নি

হিন্দুসঙ্গীতবিজ্ঞানমতে ৪, ৩, ২, ৪, ৪, ৩, ২ এই দৰে বৃহৎ, মধ্য, ক্ষুদ্ৰ অনুযায়ী অন্তৰ পোৱা যায়। আধুনিক বিজ্ঞানমতেও কম-বেছ অসমান অন্তৰ পোৱা যায়। তাক ওপৰৰ অনুপাত দেখিলেই বুজা যায়। গতিকে ভাৰতৰ প্ৰাচীন সঙ্গীতবিজ্ঞানক অনাহকত দলিয়াই পেলাব নোৱাৰি। এই সাতোটো সুৰক স্বৰগ্ৰাম বোলে।

এই স্বৰগ্ৰাম অৰ্থাৎ সা, ৰে, গা, মা, পা, ধা, নি এই সাতোটা মাত বা স্বৰ বৈদিক যুগৰ উদাত্ত, অনুদাত্ত আৰু স্বৰিত এই ত্ৰিস্বৰৰ পৰাহে গঠিত হৈছে। উদাত্তৰ পৰা নি, গা অৰ্থাৎ নিষাদ আৰু গান্ধাৰ, অনুদাত্তৰপৰা ঋ, ধা, অৰ্থাৎ ঋষভ আৰু ধৈবত আৰু স্বৰিতৰপৰা সা, মা, পা অৰ্থাৎ ষড়জ, মধ্যম আৰু পঞ্চম উৎপন্ন হৈছে। (|), ওপৰত (—) আৰু তলত (—) এই তিনটা ক্ৰমান্বয়ে উদাত্ত, স্বৰিত আৰু অনুদাত্তৰ সঙ্কেত বা চিন। কোনো সঙ্কেত নাথাকিলেও তাক স্বৰিত স্বৰত ধৰে। এয়া হল বৈদিক যুগৰ স্বৰলিপি। যেনে—

ততো বিৰাডজায়ত বিৰাজো অধি পুৰুষঃ	
শ্ৰোত্ৰাদ্বায়ুশ্চ প্ৰাণশ্চ মুখাদগ্নিৰজায়ত ॥ ইত্যাদি। য। অ।৩১	

বেদৰ এই ত্ৰৈস্বৰ্য্য গানৰপৰা সপ্তস্বৰ্য্য গানৰ সৃষ্টি হৈছে ; আৰু এই সপ্তস্বৰ্য্য গানেই লৌকিক গানৰ অঙ্কুৰ। এই সপ্তস্বৰ্য্য গান শেহত কোমল আৰু কড়িৰ লগত মিলি দ্বাদশ স্বৰত পৰিণত হৈছে। দ্বাদশ স্বৰৰ সৃষ্টিৰ লগে লগে ছয় ৰাগ ছয়ত্ৰিশ ৰাগিণীৰো সৃজন হয়।

পুৰাণাদিৰ মতে দেবাদিদেৱ মহাদেৱ সঙ্গীতৰ প্ৰথম সৃষ্টিকৰ্ত্তা ; পাছত ব্ৰহ্মাই মহাদেৱৰ ওচৰত সঙ্গীত শিক্ষা কৰি নাৰদ, ভৰত, তুম্বুৰু, হুহু আৰু ৰম্ভা এই পাঁচজনক শিক্ষা দিছিল ; এওঁলোকৰ ভিতৰত নাৰদ আৰু ভৰতে শিক্ষকতা কৰিছিল। তুম্বুৰু আৰু হুহু এই গন্ধৰ্ব্ব দুজনে কণ্ঠ আৰু যন্ত্ৰত দক্ষতা লাভ কৰিছিল। ৰম্ভাই নৃত্যবিদ্যা শিক্ষা কৰি স্বৰ্গৰ নৰ্ত্তকী হৈ নৃত্যকলা শিক্ষা দিছিল। গতিকে সঙ্গীত অতি প্ৰাচীন আৰু মানুহৰ ভাষা সৃষ্টি হোৱাৰ বহুত আগেয়ে সঙ্গীতৰ জন্ম বুলি ভাষাতত্ত্ববিদ সকলে স্বীকাৰ কৰি আহিছে।

ভাৰতৰ সঙ্গীতত পৰমাত্মা আৰু জীবাত্মাৰ সংযোগ দেখা যায়। এই প্ৰাচ্য সঙ্গীতত ভগৱৎপ্ৰীতিয়েই কেন্দ্ৰ। এই কেন্দ্ৰৰ চাৰিওফালে মানৱপ্ৰীতি পৰিধিৰূপে বিৰাজমান হৈ আছে। ভাৰতৰ সঙ্গীত অনন্ত সাগৰত ভাহি থাকে। কিন্তু পাশ্চাত্য দেশত এটা সীমাৰ ভিতৰত সঙ্গীততৰঙ্গ ভাহি উঠে ; গতিকে মানৱপ্ৰীতিয়েই পাশ্চাত্য সঙ্গীতত কেন্দ্ৰৰূপে বিৰাজ কৰে, ভগৱৎপ্ৰীতি গৌণ হে। অন্তৰ্নিহিত ভাব প্ৰাচ্য সঙ্গীতৰ মূলকেন্দ্ৰ কাৰণেহে প্ৰাচ্যসঙ্গীতে ভগৱানৰ এই মুক্ত প্ৰকৃতি আৰু ভগৱন্নিহিত মানৱাত্মাৰ বিচিত্ৰ কৰ্ম্ম আৰু ভাবৰ লগে লগে তালে তালে নাচিবৰ অধিকাৰ পাইছে। সেই কাৰণে আৰ্য্য ঋষি সকলে মুকলি আকাশত অগণন উজ্জ্বল তাৰকাৰাশিৰ ছন্দৰ তালে তালে উদয় সঙ্গীত শুনে ; সোণালী বেলিক ভৈৰৱী সুৰৰ ছেৱে ছেৱে উদয়াচলৰপৰা উদিত হৈ সন্ধিয়াৰ পূৰবী গান গাই গাই পশ্চিমৰ অস্তাচলত অস্তমিত হোৱা দেখে ; আৰু কাল, প্ৰহৰ, ঋতু পৰিবৰ্ত্তনৰ লগে লগে সঙ্গীতৰো সালসলনি হোৱা দেখে। প্ৰাচ্য আৰ্য্য সঙ্গীতৰ এই ভাব প্ৰাণৰ ভিতৰত উপলব্ধি কৰাই মানুহৰ জীৱাত্মাৰ প্ৰকৃত মুক্তি। এই ভাবত আত্মহাৰা হৈ আধুনিক বিশ্বকবি ৰবীন্দ্ৰনাথে 'ঋতুৰঙ্গ' বা 'নটৰাজ' অতি সুন্দৰভাৱে লিখি জগতক দান কৰিছে। এই ভাবত আত্মহাৰা হৈ অসমৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ গায়নে পোন্ধৰ শতিকাত হৰিনাম গীতসুধা অসমীয়াক দান কৰি অসমীয়াৰ পূজনীয় হৈছিল, হৈ আছে আৰু হৈ থাকিবও।

প্ৰাচীন ভাৰতৰ আৰ্য্য ঋষিসকল শব্দবিজ্ঞানত ইমান পাৰদৰ্শী হৈছিল যে, তেওঁলোকে ভাৰতীয় হিন্দু সঙ্গীতত স্বৰমূৰ্ত্তিক পুৰুষ, স্ত্ৰী, বৰ্ণ, অৱয়ব, বালক, প্ৰৌঢ়, বৃদ্ধ, ক্ৰুদ্ধ, হাস্যময় সকলো অৱধাৰণা কৰি এই বিলাকক পুৰুষ আৰু তিৰোতা এই দুভাগত বিভক্ত কৰিছিল, আৰু এইবিলাকৰ সানমিহলিত যি যি মূৰ্ত্তি আবিৰ্ভূত হয়, তাকো স্পষ্টৰূপে প্ৰকাশ কৰিছিল। ভাৰতীয় আৰ্য্যসঙ্গীত অতি উচ্চাঙ্গৰ হোৱাত, এই মূৰ্ত্তিবোৰ নানাবিধ প্ৰাকৃতিক সৌন্দৰ্য্যত সুশোভিত দেৱতা আৰু মনুষ্যমূৰ্ত্তি।

যেনেকৈ সময়ৰ অতিবাহনৰ লগে লগে ফুলৰো বিকাশ আৰু সৌৰভ দান ঠিক তেনেকৈ ভাৰতীয় সঙ্গীতৰ ৰাগ ৰাগিণীৰ সময়ৰ লগত বিশিষ্ট সম্বন্ধ আছে। যেনেকৈ কিছুমান ফুল দিনৰ ১ম প্ৰহৰত, কিছুমান ২য় প্ৰহৰত, কিছুমান ৩য় প্ৰহৰত আৰু ৪ৰ্থ প্ৰহৰত ফুটে ঠিক তেনেকৈ ৰাগ ৰাগিণী যেই-সেই সময়ত গোৱা নহয় ; সিহঁতৰ প্ৰত্যেকৰ গাবৰ কাৰণে নিৰ্দ্দিষ্ট সময় আছে। যেনে—ভৈৰবী দিনৰ ১ম প্ৰহৰত, আশাবৰী ৩য় প্ৰহৰত, পূৰবী ৪ৰ্থ প্ৰহৰত ইত্যাদি।

এয়েই হল ভাৰতীয় সঙ্গীত-শাস্ত্ৰৰ সংক্ষিপ্ত বিবৰণ আৰু আভাস। এই শাস্ত্ৰ যে কিমান জটিল তাক সঙ্গীত শাস্ত্ৰজ্ঞ নহলে বুজা টান। যিজন ঋষিয়ে এই সঙ্গীত শাস্ত্ৰত ব্যুৎপত্তিলাভ কৰিব পাৰিব, যিজনে চিৰব্ৰহ্মচৰ্য্যব্ৰত অবলম্বন কৰিব পাৰিব, যিজনে চিৰদিন সাত্ত্বিকভাৱে জীৱনযাপন কৰিব পাৰিব, যিজনে নিয়মিতভাৱে কণ্ঠসাধনা কৰিব পাৰিব সেইজন মহাপুৰুষ সঙ্গীতশাস্ত্ৰবিশাৰদ হব আৰু তেৱেঁই সঙ্গীতৰ আদি নাদৰূপীব্ৰহ্মক লাভ কৰিব পাৰিব। এনে জটিল বিজ্ঞানত এজন মহাপুৰুষে দক্ষতা লাভ কৰিছিল। তেওঁ মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ গায়ন।

৺শঙ্কৰদেৱে এই গীত ক'ৰ পৰা পালে, তাক সমালোচনা

বা গবেষণা কৰিবৰ শক্তি যেই-সেই মানুহৰ নাই। সাত্ত্বিক-ভাৱে আৰু ৰাম হৰিনামত লিপ্ত থকাত তেওঁ কৃষ্ণৰূপী নাদৰূপী ব্ৰহ্মক পাইছিল। আজি মহাত্মা গান্ধীয়েও যতৰৰ ঘৰ ঘৰ শব্দৰ সঙ্গীতৰ মাজেদি নাদৰূপী ব্ৰহ্মক পাবলৈ চেষ্টা কৰিছো বুলি স্বীকাৰ কৰিছে। শ্ৰীশঙ্কৰদেৱ গায়নৰ গীতত আমাৰ কেৱল কিছুমান কল্পনাহে খটাব পাৰোঁ।

(১) শ্ৰীশ্ৰীশঙ্কৰদেৱৰ সমসাময়িক কালত উত্তৰ বিহাৰেই ভাৰতীয় সঙ্গীতৰ কেন্দ্ৰ আছিল। আন আন ঠাইৰ মানুহে এই বিহাৰলৈ গৈ সঙ্গীত শাস্ত্ৰৰ শিক্ষালাভ কৰি নিজ নিজ ঠাইলৈ গৈ নিজ নিজ ঠাইলৈ উভতি নিজ নিজ মানুহৰ মাজত এই সঙ্গীত ৰস বিলাই দিছিল। আমাৰ শঙ্কৰদেৱেও বোধ কৰো তেওঁৰ তীৰ্থপৰ্য্যটনকালত এই বিহাৰলৈ গৈ সঙ্গীত শিক্ষা কৰিছিল।

(২) শ্ৰীশঙ্কৰদেৱৰ আদি পুৰুষ লণ্ডাদেৱ মাটিগিৰি বিহাৰী আছিল। তেওঁ বিহাৰী বুলিয়েই বোধ কৰো, সঙ্গীতজ্ঞ পুৰুষো আছিল। গতিকে বংশানুক্ৰমে শিকি অহা সঙ্গীতৰ ভাগ ৺শঙ্কৰদেৱেও পাইছিল। যদিও তেওঁৰ সৰুকালতে পিতৃ-মাতৃ বিয়োগ হয়, তথাপি তেওঁৰ বুঢ়ীমাক খেৰসুতী আইদেৱৰ তত্ত্বাৱধানত তেওঁ সঙ্গীত শিক্ষা কৰিছিল বুলি মনে ধৰে। গতিকে তেওঁৰ ৰাগৰ লগত সঙ্গীত শাস্ত্ৰৰ সমৰাগৰ প্ৰায় মিল থকা দেখা যায়। কিন্তু তেওঁৰ ৰাগবোৰ বোধ কৰো, ভাল চৰ্চ্চাৰ অভাৱত আজি কালি অলপ বিকৃত হৈ আহিছে, যেনে—

সঙ্গীত শাস্ত্ৰৰ মতে আশাৱৰী ৰাগিণী

II । । । । । । । । । । । । । ।
সা প প পম প প র্স ণি দ দ প প ম ম
। । । । । । ॥ । ।।।। II
প প দ মপম জ্ঞ জ্ঞম ঋ খ স



আজিকালি সচৰাচৰ গাই থকা শ্ৰীশঙ্কৰদেৱ গায়নৰ আশোৱাৰী ৰাগ—চীন যাত্ৰা :—



II । ॥ । ॥ ।।।। ॥ । ।।। ॥ ।
সা ৰা ম প র্স ণ ধপ পমজ্ঞ জ্ঞ মপদ
জ য় জ য় যা দ ৱ ••• জ ল••
। । । । । । । ।।। II
প ম জ্ঞৰা সা ৰা সাৰজ্ঞ ৰ সা
নি ধি জা• ধ • ৱ•• ধা তা••

এই দুটাৰ লগত প্ৰায়েই মিল দেখা যায়। তেন্তে বেছিৰকম কিনো অমিল থাকিল? কিছুমানৰ মতে এক আশাৱৰী ৰাগিণীয়ে তেতিয়া গান্ধাৰ দেশত "গান্ধাৰ", জৌনপুৰত "জৌনপুৰী" আৰু দৰবাৰত "দৰবাৰী" নাম পাইছে, তেন্তে অসমৰ আশাবৰীক অলপ শুদ্ধ কৰি অসমত কামৰূপীয় আশোৱাৰী নামে অভিহিত কৰিলে, বোধ কৰোঁ, কোনো দূষণীয় নহয়; বৰং অসমৰ এটা গৌৰৱ হে বাঢ়িব। এইদৰে আন ৰাগো অলপ চেষ্টা কৰিলে মিল দেখাব পৰা যায়। আৰু হিন্দুস্থানৰ ৰাগবোৰৰ ওচৰলৈ টানি-আজুৰি—অৱশ্যে তেওঁৰ গীতৰ প্ৰাণ নষ্ট নকৰি—কামৰূপীয় বা অসমীয়া ৰাগ বুলি জগতক দেখুৱালে বোধ কৰোঁ বেয়া নহয়।

ওপৰৰ এই মিলবোৰ দেখিলে মনে ধৰে, তেওঁৰ গীতবোৰ যেন মৈথিলী ভাষাত লিখিত, তেওঁৰ সুৰ বোৰতো মৈথিলী সুৰ বা ৰাগৰ প্ৰভাৱ থাকিবৰ সম্ভাৱনা হব পাৰে।

(৪) তেওঁৰ গীতবোৰত কেৱল ৰাগ হে দেখা যায়; তাত ৰাগিণীৰ কোনো চিনচাবেই নাই। তেওঁৰ গীতৰ এয়েহে সুকীয়া বিশেষত্ব। ৰাগৰাগিণীৰ বিষয়ে নানা মুনিৰ নানা মত। কিছুমানৰ মতে ছয়ৰাগ ছয়ত্ৰিশ ৰাগিণী; কিছুমানৰ মতে ছয়ৰাগ ত্ৰিশ ৰাগিণী আৰু কিছুমানৰ মতে কুৰিটা ৰাগ; আকৌ কিছুমানৰ মতে যি ৰাগ সেইটোৱেই ৰাগিণী। শ্ৰীশঙ্কৰদেৱ গায়ন, বোধ কৰোঁ, শেষোক্ত দলৰ। গতিকে তেওঁৰ মতে আশোৱাৰী, ভূপালী, গৌৰী, কল্যাণ—সকলো ৰাগ।

(৫) তেওঁৰ গীতৰ আৰু এটা বিশেষত্ব এই যে তেওঁ গীতেৰে এটা চৰিত্ৰ যেনেকৈ আঁকি দেখুৱাইছে, আন কোনো গায়নে তেনেকৈ দেখুৱাব পৰা নাই। তেওঁৰ অঙ্কত আৰু গীতত শ্ৰীকৃষ্ণৰ চৰিত্ৰ যেন ফট্‌ফটীয়াকৈ আমাৰ চকুৰ আগত ফুটি ওলাইছে। শঙ্কৰদেৱৰ অঙ্ক বা শ্ৰীকৃষ্ণৰ চৰিত্ৰৰ বিভাগ, যেনে :—পিপড়া গুচোৱা, চোৰধৰা, ৰাসজুমুড়া, উদ্ধৱজন, ভূমিলুটা, ভূষণহৰণ, পাৰিজাতহৰণ, কালিয়দমন ইত্যাদি। আৰু গীত, যেনে—দৌলৰ গীত, ৰাসৰ গীত, বৰগীত, কৃষ্ণবৃন্দাৱন গোষ্ঠ,

সূত্ৰধাৰীৰ গীত ইত্যাদি। অৱশ্যে ইয়াৰ ভিতৰত মাধৱদেৱ আদি তেওঁৰ শিষ্যবৰ্গেও লিখিলেও সেইবোৰ শঙ্কৰদেৱৰ পৰা শিক্ষা পায়েই তেওঁলোকে লিখিছিল বুলি মনে ধৰে।

(৬) শ্ৰীশঙ্কৰদেৱ গায়নৰ ৰাগবোৰ সকলো সঙ্গীত শাস্ত্ৰত পোৱা যায়। গতিকে তেওঁ সঙ্গীত শাস্ত্ৰৰ ভিত্তি লৈ সঙ্গীত চৰ্চ্চা কৰিছিল বুলি বোধ হয়। যেনে, ৰাগবোৰৰ নাম—গান্ধাৰ, শ্ৰী, ভাটীয়ালী, বসন্ত, আশোৱাৰী, কল্যাণ, শ্যাম, পূৰ্ব্বী, ভূপালী, গৌৰী ইত্যাদি।

(৭) শ্ৰীশঙ্কৰদেৱৰ কৃষ্ণৰূপী পুৰুষত অচলা ভক্তি আছিল। তেওঁৰ চৈতন্যদেৱৰ দৰে ৰাধিকাৰূপী তিৰুতা বা প্ৰকৃতিৰ প্ৰতি সুকীয়াকৈ ভক্তি থকা দেখা নাযায়। তেওঁ পুৰুষৰ ভক্ত, গতিকে তেওঁৰ গীতবোৰো পুৰুষ বা ৰাগ। সেই কাৰণে, তেওঁৰ ৰাগত পুৰুষৰ দৰে শক্তি, আবেগ, আকুলতা আৰু কৰ্কশতা দেখা যায়। তাত তিৰুতাৰ দৰে ৰাগিণীৰ কোনো লৱণুভাব বা বশবৰ্ত্তিতা নাই। তেওঁৰ ভগৱান হৈছে কৃষ্ণৰূপী পুৰুষ—"যঃ স্বব্যাপ্তা চৰাচৰং জগৎ পূণাতি পূৰয়তি বা (পৃ পালন পূৰণয়োঃ), অৰ্থাৎ যিজনে তেওঁৰ নিজৰ ব্যাপ্তিৰে গোটেই বিশ্বত বা চৰাচৰ জগতত পৰিপূৰ্ণ হৈ আছে। গতিকে তেওঁৰ গীত ৰাগো পুৰুষ।

(৮) ৰামতে বিলীন হোৱা সেই ভক্তবীৰ বাল্মিকী মুনিৰ মুখত ৰামৰ জন্ম হোৱাৰ আগতে ৰামায়ণ গান যেনেকৈ সহজভাৱে বাহিৰ হৈছিল ঠিক তেনেকৈ কৃষ্ণগত প্ৰাণ যাৰ সেই মহাপুৰুষ শঙ্কৰদেৱৰ মুখৰ পৰা সহজভাৱে হৰিনামগীত বাহিৰ হৈছিল কাৰণে তেওঁৰ ৰাগৰ লগত হিন্দুস্থানী ৰাগৰাগিণীৰ ইমান মিল দেখা নাযায় বুলিও মনে ধৰে। যেনেকৈ বৈদিক যুগত ঋষিমুনি সকলে গিৰি কন্দৰত বহি স্বভাৱজ স্বৰেৰে (সঙ্গীতৰ কোনো নিয়মাধীন নোহোৱাকৈ অনাহত ধ্বনিৰে) বেদগান গাইছিল, ঠিক তেনেকৈ তেওঁৰ ৰচিত গীতবোৰৰ ৰাগ বা সুৰ তেওঁৰ স্বকৃত বা স্বভাৱজও হব পাৰে। সেই কাৰণে তেওঁৰ গীতবোৰ তেওঁৰ ভক্ত বা শ্ৰোতাবৰ্গৰ মনোৰঞ্জনৰ কাৰণে ৰচিত হোৱা বুলি ৰাগ (ৰঞ্জয়তি ইতি ৰাগঃ) হৈছে।

(৯) ভক্তিত আৰু সঙ্গীতত ভৰপূৰ হৈ পৰমানন্দত মতলীয়া হৈ চাৰিওফালে সৃষ্টিৰ সকলোতে শ্ৰীশঙ্কৰদেৱ গায়নে হৰিৰামৰ ৰূপ দেখিছিল। সৃষ্টিৰ হৰিবিষয়ক বা সৌন্দৰ্য্য বিষয়ক সকলো দৃশ্যতে তেওঁৰ মতে ৰাগৰ উৎপত্তি হৈছে। যেনে—

—মালিতা*—এমান্ কল্যাণ ৰাগ—

শক্তিশেলে মহাবীৰ লক্ষ্মণ পৰিলা।
আকাশ পাতাল মেৰুমণ্ডল কম্পিলা॥
ৰামৰ আদেশে হনুমন্ত চলি গৈলা।
ঔষধ আনিয়া পাছে লক্ষ্মণে জীয়াইলা॥
ৰামৰ কল্যাণ হেতু দশোদিশে ছানি।
দেবদ্বিজগণে কৰে ৰাম জয়ধ্বনি॥
বানৰাৰ প্ৰজাগণে আনন্দে মাতিলা।
ৰামজয় শব্দে 'এমান কল্যাণ ৰাগ ভৈলা॥

—গুঞ্জৰি ৰাগ—

"শৰত কালত শোভে চন্দ্ৰাৱলী ৰাতি।
কমলিনী সঙ্গে খেলে কমলিনী পতি॥
শাল-তাল- তমাল চম্পক নাগেশ্বৰ।
নানাবিধ তৰুফল ফুলে জাতিস্কাৰ॥
লহু লহু লহু বহে মলয়া পবন।
কুহু কুহু ৰব কৰে কুকিল কূজন॥
মধুপানে মত্ত হুয়া মধুকৰগণ।
গুণগুণ ৰবে গুঞ্জৰিছে অনুক্ষণ॥
গুঞ্জৰি টানিয়ে গীত গাৱে গোপবালা।
গুঞ্জৰি ৰৱেতে 'গুঞ্জৰি ৰাগ' ভৈলা॥

এইদৰে শঙ্কৰদেৱ গায়নৰ প্ৰত্যেক ৰাগৰ উৎপত্তিৰ কাৰণ দেখা যায়।

(১০) তেওঁৰ গীতবোৰৰ প্ৰথম দুই শাৰীৰ শেহত 'ধ্ৰুং' সঙ্কেত দেখি বহুতে ধ্ৰুপদ বুলি অনুমান কৰে। ধ্ৰুপদ হিন্দুস্থানী ধ্ৰুপদৰ দৰে চাৰিভাগত (কলি বা তুক) বিভক্ত ধ্ৰুপদ নহয়; তেওঁৰ ধ্ৰুপদ দুভাগত বিভক্ত। ধ্ৰুপদৰ আচল অৰ্থ হৈছে ধ্ৰুবপদ। ধ্ৰুব হৈছে ধুৱা বা মহড়া বা আস্থায়ী, আৰু পদ হৈছে অন্তৰা।

* বৰপেটাৰ শ্ৰীযুত হৰবায়ন নামে এজন বুঢ়া মানুহৰ হাতে-লিখা পুথিৰপৰা উদ্ধৃত।

(১১) শ্ৰীশঙ্কৰদেৱ গায়নৰ গীত বা ৰাগবোৰৰ আৰু এটা বিশেষত্ব দেখা যায়। তেওঁৰ পৰপুৰুষ অৰ্থাৎ আজিকালিৰ গায়ন সকলে কোনো এটা ৰাগ প্ৰথমে ধৰিলে বা আলাপ কৰিলে হৰি বা ৰাম নামেৰে অলপ কৰে। তাত হিন্দুস্থানী ওস্তাদৰ দীম্ তানা না না বা না ৰে না না নানা নাই। তেওঁৰ সকলোতে হৰি বা ৰামেই দেখা যায়। যেনে—বসন্তৰ আলাপ—এ ৰামোও ৰাম্ ও হৰি বা আমোও ৰা আম হৰি ৰা আ আ আম ৰাম্ ইত্যাদি।

এইবিলাকেই হল শঙ্কৰদেৱ গায়নৰ কিছুমান কল্পিত সমালোচনা। তেওঁক বায়ন, নৰ্ত্তক, সাহিত্যিক, নাট্যকাৰ আৰু সৌন্দৰ্য্য উপাসকৰূপে সমালোচনা কৰিবলৈ ভবিষ্যতলৈ আশা থাকিল। সঠিক সমালোচনা কৰা কেৱল দুৰাশাহে।

সি যি নহক এইবিলাক কাৰণ চাই শঙ্কৰদেৱ গায়ন যে কি ধৰণৰ সঙ্গীতজ্ঞ পুৰুষ আছিল, এই জটিল সমস্যা পাঠক সকলে বিচাৰ কৰিব। তেওঁ যে এজন ডাঙ্গৰ গায়ন আছিল, তাক সকলোৱে স্বীকাৰ কৰিছিল, কৰে আৰু কৰিব। তেওঁ অসমৰ তান্সেন আছিল। তেওঁৰ আকুল কণ্ঠৰ ৰাগ শুনি গৰ্ভৱতী তিৰুতাৰ অকালতে সন্তান প্ৰসৱ হৈছিল। তেওঁ বিথোভেনৰ দৰে অসমৰ ঠাই, জলবায়ু অনুযায়ী সঙ্গীত সৃষ্টি কৰি অসমীয়াক নতুন বিধৰ সঙ্গীত চৰ্চ্চা কৰিবলৈ শিক্ষাদান কৰিছিল।

তথাপি আজি অসমীয়াই এই মহাপুৰুষৰ মাহাত্ম্য নাজানি নুবুজি অৱজ্ঞা কৰি হিন্দুস্থানী বঙ্গালী সঙ্গীতৰ ফালে ঢলি পৰিছে আৰু তাৰ লগে লগে অসমীয়াৰ গৌৰৱৰ বস্তু শ্ৰীশঙ্কৰদেৱ গায়নৰ ৰাগবোৰো ক্ৰমান্বয়ে বিকৃত আৰু লুপ্ত হৈ আহিছে।

কিন্তু এইবিলাকক উদ্ধাৰ কৰিবলৈ এতিয়াও সময় আছে; কাৰণ তেওঁৰ জীয়াই থকা ৰাগ কিছুমান এতিয়াও বিকৃতি আকাৰত কণ্ঠাগত প্ৰাণ হৈ আছে। গতিকে অসম হিতৈষী আৰু সঙ্গীতজ্ঞ পুৰুষ সকলে মিলিজুলি একেলগে এই মহাপুৰুষ গায়নৰ গীত-ৰাগবোৰ সুব্যৱস্থিত আৰু প্ৰণালীবদ্ধ কৰি প্ৰকাশ আৰু চৰ্চ্চা কৰা উচিত। তাৰ লগে লগে অসমহিতৈষী আৰু সঙ্গীতজ্ঞ সকলক ধনেৰে সাহায্য কৰি এটা অসমীয়া ঠাঁচেৰে অসমীয়া সঙ্গীত বিদ্যালয় পাতিবলৈ অসমীয়া ধনকুবেৰ সকলে যত্নৱান হোৱা উচিত। আৰু আটাইতকৈ বেছি যত্নৱান হোৱা উচিত বৰপেটাৰ উঠি অহা শিক্ষিত যুৱক সকল; কাৰণ, এতিয়াও বৰপেটাত যি দুই এজন মহাপুৰুষীয়া গীতৰাগ জনা বুঢ়া আছে তেওঁলোকৰো আয়ু প্ৰায় শেষ হৈ আহিছে। সকলোৱে চেষ্টা কৰিলেহে আমি অদূৰ ভবিষ্যতত অসমীয়া ঠাঁচৰ গীতৰাগৰ সৌৰভপূৰ্ণ ফুলনি এখনি দেখিম, যি ফুলনিৰ ফুলপাহিবোৰৰ মধু পান কৰিবলৈ আঁতৰৰপৰা বিদেশীয়ে লৰিধাপৰি হুৰ্-হুৰ্কৈ আহি অসমক মূৰত তুলি লব।

শেষ বিদায়

গল্প— —শ্ৰীযুত দেৱেন্দ্ৰকুমাৰ কটকী

বসন্ত চিত্ৰকৰ। নগৰৰ এচুকত তাৰ ঘৰ। সংসাৰত তাৰ বিধবা মাকত বাজে কেও নাই। সি চিত্ৰ আঁকি মাহেকীয়া, সাপ্তাহিক আদি কাকতত প্ৰকাশ কৰে। সেয়ে তাৰ উপাৰ্জ্জনৰ পথ। সৰু গৃহস্থালী, তাৰেই কোনোৰকমে চলে। কল্পনা কৰিয়েই সুখ পায় সি। বাহিৰা কোনো সাংসাৰিক চিন্তা-ভাবনাই তাৰ মনত ঠাই নাপায়। সিয়েই তাৰ সঙ্গ; তাৰ ভাব, সুখ, কাৰ্য্যৰ ভাগলওঁতা কোনো দ্বিতীয়জন নাছিল।

কিৰণ বালিকা; সুন্দৰী তাই। দীঘল কলা চুলিতাৰি আৰু বৈ পৰা চেলাউৰিযোৰে তেজাল মুখখনিৰ সৌন্দৰ্য্যত ৰাং চৰাই দিছে। চকুজুৰিত অন্তৰৰ সৰলতা ফুটি উঠিছে। মুখত নিৰ্ম্মল হাঁহিটি সদায় আছিল।

সূৰ্য্য উদয় হোৱাৰ লগে লগে বসন্তও উঠে। বাৰান্দাত চকী এখনত বহি শান্তিময়ী প্ৰকৃতিৰ বুকত উষাৰ ৰূপমাধুৰী পান কৰে। ৰিবৰিবীয়া বতাহ জাকিয়েও তাৰ প্ৰতি সকৰুণ হৈ ঘৰৰ আগৰ বকুলজোপাৰ পৰা সদ্যপ্ৰস্ফুটিত ফুলৰ সৌৰভ আনি দিয়েহি। বসন্ত আপোন পাহৰা হৈ কল্পনাতে ডুব গৈ থাকে।

পখিলাটিল দৰে কিৰণ আহে—বকুল ফুল বোটলে। মাজে মাজে নাকৰ ওচৰলৈ নি হেপাহ পলুৱাই সুঙি লয়। চকুৰে-মুখে বালিকাসুলভ চঞ্চলতা ফুটি উঠে। উষাৰ কিৰণ বকুল গছৰ পাতৰ মাজেদি আহি চুমাটি দিয়ে। তাইৰ জেউতি দুগুণে চৰি উঠে। পখিলাটিৰ দৰেই পুনৰ যায়গৈ। কিন্তু বসন্তৰ মনৰপৰা সেই দৃশ্যটি মোচ নাখায়। সি এই বাস্তৱ দৃশ্যটি চিত্ৰত পৰিণত কৰিবলৈ হাতত তুলি লয়।

বসন্তই বাট চাই থাকে ৰাতি পুৱাবলৈ। মনে মনে ভাবে কিৰণৰ ছবিখনি, স্নিগ্ধ চকুজুৰি সৰল ভাবভঙ্গীৰে সৈতে। তাৰ ইচ্ছা হয় তাইক ছবি অঁকাৰ আদৰ্শ কৰিবলৈ।

মনৰ ভাব কাৰ্য্যত পৰিণত কৰিবলৈ বেছি দিন নালাগিল। সি কিৰণক মাতি আনি ভাবভঙ্গী শিকাই দিয়ে। বালিকা কিৰণেও অতি আগ্ৰহেৰে শিকিবলৈ যত্ন কৰে আৰু যেতিয়া কৃতকাৰ্য্য হয় তাকে আদৰ্শ লৈ বসন্তই ছবি আঁকে। এইদৰে বসন্তৰ চিত্ৰকৰ জীৱনত কিৰণে নতুন শক্তি আনি দিলেহি। কাকতে-পত্ৰে বসন্তৰ ছবি প্ৰকাশ হয় আৰু সকলোতকৈ উচ্চ স্থান লাভ কৰে। কিৰণৰ প্ৰতি তাৰ কৃতজ্ঞতাৰ ভাব অন্তৰ উপচি পৰে। কিৰণেও তাৰ প্ৰকাশিত ছবিবিলাক দেখি আনন্দ আৰু গৰ্ব্ব অনুভৱ কৰে আৰু নতুন নতুন ভাবৰ ছবি আঁকিবলৈ বসন্তক উদ্গাই দিয়ে।

এইদৰে দিন যাবলৈ ধৰিলে। লগে লগে বসন্তৰ বাস্তৱ জীৱন সোণালী সপোনৰ মাজেদি কল্পনাত উটি যাবলৈ ধৰিলে। কিৰণৰ অমায়িকতা আৰু কোমলতাই তাৰ অন্তৰ ভালকৈ স্পৰ্শ কৰিলে।

কিৰণৰ বয়স বঢ়াৰ লগে সি লক্ষ্য কৰিলে তাইৰ চলন-ফুৰণৰ আকস্মিক পৰিবৰ্ত্তন। তাৰ ওচৰলৈ অহা পাতলিল; মুখত গম্ভীৰ ভাব, বিষাদৰ ছায়া। কাৰণ ভাবি সি উলিয়াব নোৱাৰিলে; সুধিবলৈও তাৰ সাহস নহল; কিজানি তেনে কৰিলে তাইৰ কোমল হিয়াত আঘাতৰ মাত্ৰা বঢ়াই দিয়া হয়। বসন্তই মনৰ ভাব মনতে ৰাখি দোধোৰ-মোৰত পৰি থাকিল।

এদিন বসন্তই কিৰণৰ এটি শেষ বিদায়ৰ দৃশ্য লোৱাৰ কথা কলে। কিৰণে সন্মতি জনাই কলে "বাৰু এতিয়া থাওক, মই বেছি সময় থাকিব নোৱাৰো। আন এদিন চেষ্টা কৰিম।"

কিৰণৰ দেউতাক ধনী। উচ্চপদৰ চৰকাৰী চাকৰি কৰে। কিৰণৰ লগত বসন্তৰ এনে ভাব তেওঁলোকে জানিব পাৰিছিল। বসন্ত দুখীয়াৰ লৰা, তাৰ লগত কিৰণৰ তেনে ভাব মুঠেই ভাল নাপাইছিল। লাহে লাহে কিৰণক বসন্তৰ ওচৰলৈ যাবলৈ হাক দিছিল। মাক-বাপেকৰ এনে ধৰণৰ শাসনে কিৰণৰ সৰল হৃদয়ত বৰকৈ আঘাত দিছিল। কি কৰিব তাই। তথাপি মনক দমাব নোৱাৰি লুকাই-চুৰকৈ মাজে মাজে বসন্তৰ ওচৰৰ পৰা আহেগৈ। এই পৰিবৰ্ত্তনৰ কাৰণ জানিবৰ নিমিত্তে বসন্তই ঔৎসুক্য দমাই ৰাখিব নোৱাৰি কিৰণক সুধিলে। তাই নানা কাৰণ দেখুৱাই মাকবাপেকৰ শাসনৰ কথা কলে সি দুখ পায় বুলি।

কেইদিন মানৰ পাছত কিৰণৰ লগত বসন্তৰ দেখা। বসন্তই সুধিলে "কিৰণ! তই দেখো মোৰ ওচৰলৈ আহিবলৈ একেবাৰেই এৰি দিলি? মই যে কৈছিলো এটা শেষ বিদায়ৰ দৃশ্য লোৱাৰ কথা, বোধ কৰো পাহৰিলি।"

কিৰণে অন্তৰৰ ভাব লুকাই ৰাখিব নোৱাৰিলে, বসন্তৰ হাত দুখনত খপকৰে ধৰি আবেগত কৈ উঠিল, "পাহৰি যোৱা নাই ককাইদেউ! অন্তৰৰ ভাব কেনেকৈ ঢাকি ৰাখিব লগীয়া হৈছে তাক যদি বুজিলা হেতেন! মাইতে এনে কৰিবলৈ বাধ্য কৰিছে। তেওঁলোকে কৈছে, মই হেনো আগৰ দৰে সৰু হৈ থকা নাই; মোৰ বয়স হৈছে। সেইবাবে য'লৈকে ত'লৈকে যাবলৈ হাক দিছে

আৰু তোমাৰ ইফালে আহিবলৈও হাক দিছে। তোমাৰ ইফালে যে আহো ক্ষন্তেকৰ কাৰণে, তাকো কোনেও নজনাকৈ। সেই কাৰণে···" কিৰণে আৰু কব নোৱাৰিলে, মাথোন আঁচলেৰে চকুপানী মচিলে।

বসন্তক যেন হঠাৎ নতুন কথা শুনালে। এয়ে তেন্তে কিৰণৰ পৰিবৰ্ত্তনৰ কাৰণ। কবলৈ কথা বিচাৰি নাপালে। বহুত সময়ৰ পাছত নিজক কোনো ৰকমে সংযত কৰি কিৰণক বুজাই কলে "ছিঃ কিৰণ! বেজাৰ কৰিছা কিয়? মাৰাইতো একো বেয়া কথা কোৱা নাই। তেওঁ তোমাৰ ভালৰ কাৰণেহে সকলো কৰে। মোৰ লগত দুদিনৰ চিনাকি, দুদিনৰ পাছত পাহৰিব পাৰিবা। মোৰ ইয়ালৈ নাহিলেও মাজে মাজে এনেয়ে দেখা হব। তেওঁলোকৰ অবাধ্য হৈ তেওঁলোকক দুখ নিদিবা। তাকে কৰিলে ময়ো বৰ বেজাৰ পাম।" এই বুলি সি বিদায় ললে। কিৰণক তো সি এইদৰেই বুজালে, কিন্তু তাক বুজায় কোনে? মনে মনে কলে, "কিৰণ! মাৰাৰ কথা মই কেতিয়াও বিশ্বাস নকৰো। তুমি সদায় সৰলা বালিকা। যেন চিৰদিন এইদৰে সৰু হৈয়ে থাকা"।

আগৰ দৰে পুৱাই উঠি বসন্ত বাৰান্দাত বহে। আগৰ দৰে বেলি ওলায়। বকুল ফুল ফুটে। কিন্তু বসন্তৰ মনত উষা যেন সৌন্দৰ্য্যহীন। বকুলফুলবিলাক যেন সৌৰভ-বিহীন নিষ্প্ৰভ আৰু ৰাতিপুৱাৰ বতাহজাকি? সিও যেন তাৰ প্ৰতি নিষ্ঠুৰ হৈ মনৰ সুখশান্তি কাঢ়ি লৈ যায়। মনে মনে ভাবে কিৰণৰ কথা। তাই কোন? তাৰ তো একো নহয়। কিন্তু তাইৰ সৰল ছবিখনি, অন্তৰস্পৰ্শী কোমলতা, অমায়িকতা যে পাহৰিব নোৱাৰে। তাইৰ গাত তো একো দোষ নাই। মাকৰেই বা কি দোষ? সি এটি অচিনাকি লৰা, তাৰ ওচৰলৈ কিৰণ কিয়নো আহিব? ইত্যাদি ভাবে বসন্তৰ অন্তৰত তোলপাৰ লগাই দিয়ে। বসন্তৰ বিবাহৰ বয়সো হৈছে। কিন্তু কিৰণক তাৰ পত্নী স্বৰূপে আশা কৰাও নিতান্ত অমূলক। সি দুখীয়া। কিৰণ চহকীৰ ছোৱালী।

বসন্তৰ ক্ষন্তেকীয়া সুখৰ সপোন ভাগি গল। শান্তিময় জীৱনত অশান্তিৰ ধুমুহা উঠিল।

কিৰণ শয্যাগত। সংসাৰৰ শোক, তাপ, আশা, সম্ভোগ সকলো এৰি থৈ যেন কোনো শান্তিৰ ৰাজ্যলৈ যাবলৈ ওলাইছে। নিস্তেজ চকুজুৰিয়ে যেন কাৰবাক শেষবাৰলৈ চাই লবলৈ আগ্ৰহেৰে বিচাৰিছে।

বসন্তই শুনিলে কিৰণৰ অৱস্থা। ইচ্ছা হল এবাৰ গৈ চাই আহিব। কিন্তু তাৰ সাহস নহয়, কিজানি ক'ৰবাৰ অচিনাকি বুলি তাক ঘৰলৈ যাবলৈ নিদিয়েই। সি মনক দমাই ৰাখিব নোৱাৰিলে। কিৰণহঁতৰ ঘৰ পালেগৈ; খিৰিকীদি দেখিলে কিৰণৰ ৰোগক্লিষ্ট শীৰ্ণ মুখখনি; নিস্তেজ চকুযুৰিলৈ আশাপূৰ্ণ দৃষ্টিৰে সেই ফালেই চাই আছে। সি আপোন পাহৰি গল। লৰ মাৰি গৈ পিৰালিত ভৰি দি খিৰিকীত দিয়া লোহা এডালত ধৰি মুখ বঢ়াই কিৰণক চাবলৈ ধৰিলে। অন্তিম সময়ত কিৰণৰ আশা পূৰ্ণ হল। তাক শেষবাৰলৈ চাই ললে। ক্ষীণ কণ্ঠেৰে সুধিলে "শেষ বিদায়ৰ দৃশ্য লোৱা হ'লনে?" অলপ পৰ পাছতে চকুজুৰি জাপ খাই গ'ল। শান্তিৰে শান্তিধামলৈ শেষ বিদায় ললে। সূৰ্য্য পশ্চিম আকাশত ঢলি পৰিল। দিনৰ শেষৰ ক্ষীণ ৰশ্মিয়ে প্ৰকৃতিৰ গালত শেষ চুমাৰ ৰেখা আঁকি দিলে।



অতীত মাধুৰী

শৰাইঘাটৰ যুদ্ধ

—৺পণ্ডিত হেমচন্দ্ৰ গোস্বামী

অসমদেশ আক্ৰমণ কৰিবৰ নিমিত্তে মছলমানবিলাকে এবাৰ নহয় দুবাৰ নহয় অসংখ্য বাৰ সৈন্য পঠিয়াইছিল। কিন্তু তেতিয়াৰ কালৰ অসমীয়া মানুহৰ অদম্য সাধীনতাপ্ৰিয়তাৰপৰাই হওক বা নিভাঁজ দেশ-হিতৈষিতাৰপৰাই হওক, বা অসমীয়া সৈন্যৰ যুদ্ধ-কৌশলৰ পৰাই হওক, অসম দেশৰ প্ৰাকৃতিক অৱস্থাৰ পৰাই হওক, এই ক্ষুদ্ৰ ৰাজ্যক মহা-প্ৰতাপশালী দিল্লীৰ সম্ৰাটে কৰতলীয়া কৰিবলৈ সমৰ্থ নহল। আমাৰ লগত মছলমানৰ যতবাৰ যুদ্ধ হল, সকলো বিলাক ঘটনা বিবেচনা কৰি চালে, শৰাইঘাটত হোৱা যুদ্ধই সকলোতকৈ প্ৰধান; কিয়নো এই যুদ্ধত মহা অভিমানী আওৰেংজেব বাদচাই যি শিক্ষা পালে, তাৰ পৰাই অসমদেশ জয় কৰা আশা একেবাৰেই পৰিত্যাগ কৰিলে। এই যুদ্ধৰ পিচত বৰফুকনৰ লগত মছলমান বিলাকৰ ২।১ বাৰ কাজিয়া লাগিছিল সচা, কিন্তু সেইবিলাক যুদ্ধ নাম পাবৰ যোগ্য নহয়। সেই গুণে অসম-মছলমান ৰণৰ শৰাইঘাটৰ যুদ্ধকে শেষযুদ্ধ বুলিব লাগে।

এই যুদ্ধৰ কাৰণ হল, পূৰ্ব্বে জয়ধ্বজসিংহ স্বৰ্গদেৱ মছলমানৰ লগত যুদ্ধত গড়গাৱঁত এই সন্ধি হল যে মছলমানবিলাকে দক্ষিণ পাৰে অসুৰৰ আলি আৰু উত্তৰ পাৰে বৰনদীৰ পূবলৈ নেযাব, আৰু অসমৰজাই তেওঁ-বিলাকক বছৰি ২০টা হাতী আৰু "পেচকচৰ" বাবে তিনি লাখ টকা আৰু ১০টা হাতী "চই" দিব। এই সন্ধিত দিল্লীৰ সম্ৰাট আওৰেংজেবে সন্মতি দিয়াত তেওঁৰ লগত মিত্ৰতা দৃঢ় কৰিবৰ নিমিত্তে পাটচালৈ * তেওঁৰ জীয়েক ৰমণী গাভৰুক অলঙ্কাৰ বাদ ২০ হাজাৰ সোণৰ মোহৰ, ১লাখ ২০ হাজাৰ টকা, ৩০টা হাতী, ১০০ বেটী আৰু ১০০ বন্দী যৌতুকে সৈতে দিল্লীলৈ পঠায়, আৰু "পেচকচৰ" ভিতৰৰ ২৮১০০০ টকা আৰু ৪০টা হাতীও পঠোৱা হল। বাকী থাকিল কেৱল ১৯০০০ টকা আৰু ৫০টা হাতী।

জয়ধ্বজসিংহে এই যুদ্ধত মহৎ অপমান পালে আৰু তাৰ অলপ দিনৰ পিচতে ইহ সংসাৰ পৰিত্যাগ কৰিলে। ১৫৮৫ শকত চক্ৰধ্বজসিংহ অসমৰ ৰাজপাটত বহিল, আৰু তেওঁ মছলমানক "চই" দিবৰ কাৰণে ৰাইজৰ ওচৰত বৰঙনি পেলাই ৭ লাখ টকা তুলিলে। মিৰজুম্লা উলটি যাওঁতে তেওঁৰ লগৰ সেনাপতি এজন ৰচিত খাঁক গুৱাহাটীত ফৌজদাৰ পাতি থৈ গৈছিল; কিন্তু কিছুমান-দিনৰ পিচত পাটচাই ফিৰুজ খাঁক ফৌজদাৰ পাতি পঠিয়াই ৰচিত খাঁক মাতি নিলে। ৰচিতখাঁই আমাৰ দেশৰ অৱস্থা আৰু মানুহৰ ধৰণ-ধাৰণ ভালকৈ জানিছিল। সেই গুণে তেওঁ আছিল মানে মছলমান আৰু আমাৰ ভিতৰত একো গণ্ডগোল হোৱা নাছিল। কিন্তু ফিৰুজখাঁ নতুন মানুহ। তেওঁ আহিয়েই আমি দিবলৈ বাকী থকা পেচকচ সাধিবৰ নিমিত্তে আমাৰ ৰজালৈ বৰ টান কথা কৈ কটকী পঠালে। এনে সময়তে কলিয়াবৰত থকা আমাৰ ফুকন আৰু ৰাজখোৱাই স্বৰ্গদেৱলৈ জনাই পঠালে যে মছলমানৰ বৰ কথা আৰু বেয়া ব্যৱহাৰ সহিব নোৱাৰা হৈ উঠিছে। চক্ৰধ্বজসিংহ বৰ সাহসী আৰু অভিমানী ৰজা আছিল; তেওঁ মছলমানৰ টান কথা সহিব নোৱাৰি বাকী থকা "চই" নিদিওঁ বুলি স্থিৰ কৰি যুদ্ধ কৰিবলৈ প্ৰস্তুত হল। এয়েই ৰণৰ কাৰণ। এই ৰণ দুবাৰ হয়। প্ৰথমবাৰ ১৫৮৯ শকত লাচিত ফুকনে মছলমানক যুদ্ধত হৰুৱাই গুৱাহাটী লয়।

* * * *

যেতিয়া আওৰেংজেব পাটচাই শুনিলে যে, লাচিত ফুকনে মছলমানৰ হাতৰ পৰা গুৱাহাটী ললে আৰু চৈয়দ ফিৰুজক যুদ্ধত হৰুৱাই ধৰি নিলে তেতিয়া তেওঁ খঙতে বিবশ হৈ, অসম দখল কৰিবৰ নিমিত্তে প্ৰতিজ্ঞা কৰিলে আৰু ৰাজা ৰামসিংহক সোণখটোৱা জীনৰে সৈতে এটা যুদ্ধৰ ঘোঁৰা আৰু মুকুতা লগোৱা পেটীয়ে সৈতে এখন তৰোৱাল খিলাত দি সেনাপতি পদত বৰণ কৰি লগত এক ফৌজ দিল্লীৰ ৰাজকীয় সেনা আৰু এক ফৌজ বঙ্গদেশৰ নবাবৰ অধীনৰ সেনা দি অসম জয় কৰিবলৈ পঠালে। ৰামসিংহে ১৫৮৯ শকৰ চ'ত মাহত সসৈন্যে কামৰূপ পালেহি। তামুলী ফুকনৰ বুৰঞ্জীমতে ৰামসিংহৰ লগত ৯ লাখ সৈন্য আহিছিল। কিন্তু, এখন সাঁচি-পতীয়া বুৰঞ্জীমতে তেওঁৰ লগত ৩০০০ অশ্বাৰোহী, ১৮০০০ পদাতি আৰু ১৫০০ কোচবিহাৰৰ কাঁড়ী সৈন্য হে আহিছিল। ৰামসিংহৰ লগত আচলমতে কিমান সৈন্য আহিছিল তাক সঠিককৈ কোৱা টান হলেও, তেওঁৰ লগত যে সেই কালৰ কেইবাজনো বিখ্যাত যোদ্ধা সেনানায়কৰূপে আহিছিল তাৰ অলপো সন্দেহ নাই। নচৰতখাঁ, কিৰাত সিংহ বৰ্ত্তিয়া, ৰঘুনাথ সিংহ, বইৰামদেউ আৰু ৰচিতখাকে আদিকৰি যোদ্ধাবিলাক এই যুদ্ধলৈ আহিছিল বুলি মছলমান বুৰঞ্জীয়েও স্বীকাৰ কৰে। এনে সমাৰোহেৰে সৈন্য পঠোৱাত আওৰেংজেবে যে অসম জয় কৰিবৰ নিমিত্তে দৃঢ়প্ৰতিজ্ঞ হৈছিল তাক ভালকৈ বুজিব পাৰি।

* মুছলমান বুৰঞ্জীমতে ৰমণী গাভৰুক পাটচাৰ পুতেকলৈহে বিবাহ কৰায়।

স্বর্গদেব চক্রধ্বজ সিংহে অনেক সৈন্য লগত লৈ বামসিংহে অসম আক্রমণ কৰিবলৈ আহিছে বুলি শুনি সকলো দা-ডাঙৰীয়া বৰফা-ফুকন সকলৰ লগত পৰামর্শ কৰি, মহলমানৰ লগত যুঁজ দিবলৈ বিশেষ আয়োজন কৰিলে। সকলো বৰফা আৰু ফুকন বিলাকক তেওঁলোকৰ নিজ নিজ খেলস কাঁহী সৈন্য বিলাকে সৈতে ওচৰাউচিলৈ সাজু হৈ থাবলৈ নিমিত্তে আদেশ কৰিলে। মোমাই তামুলী ববৰুৱাৰ পুত্ৰ লাচিত বৰফুকনক আটাইবোৰ ফৌজৰ ওপৰত বৰ-সেনাপতি পাতি বাৰিষা লগতে মানে বামসিংহক যুদ্ধ নকৰাকৈ বাধিবৰ নিমিত্তে দিহা দিলে। বৰফুকনে স্বর্গদেৱৰ আদেশ অনুসাৰি বাৰিষা লগতে মানে বামসিংহক যুদ্ধ পৰা ক্ষান্ত বাধিবৰ মনেৰে, বামসিংহৰ ওচৰলৈ কটকী পঠিয়াই আগমনৰ উদ্দেশ্য কি বুধি পঠিয়ালে, আৰু ইপিনে ওচৰাউচীৰ কেওকালে যি গড় আছিল তাক মেৰামত কৰিবৰ নিমিত্তে মানুহ লগালে।

বঙা বামসিংহৰ ওচৰলৈ দি কটকী পৌঁছিল তেওঁৰ আগত বামসিংহে এইবেলে কৈ পঠালে, বোলে পূৰ্ব্বে আলিচাৰ খাঁ আৰু মোমাই তামুলী ববৰুৱাৰ ভিতৰত যি সন্ধি হৈছিল তাত অন্যৰব আছি আৰু ববনদীক অসম আৰু মহলমানৰ বাজ্যৰ সীমা বঙা হৈছিল; সেই সন্ধিমতে ওচৰাউচী পাটচাৰ বাজ্যৰ ভিতৰত। এতেকে ওচৰাউচী তেওঁবিলাকক এবি দিয়ক, নহলে "দুই সবীমান যুঁজিও চাব পাবে, আৰু তাঁলোকো যদি তাঁৰ বন্দুক নাই তেওঁক খুজিলেও দিব পাবে"। কটকীৰ মুখে বামসিংহৰ এই ব্যঙ্গ কথা শুনি আমাৰ দা-ডাঙৰীয়াসকলৰ গা জ্বহো ওলে আৰু জ্বলি উঠিল, আৰু ইয়ান চাই সমিধান দিয়া উচিত ভাবি ববফুকনে আকো কটকীৰ আগত এইবেলে কৈ পঠালে, "অনিছো৷ বঙা বামসিংহ মাজাতা বয়াৰ গোষ্টি আৰু জন্নসিংহৰ পুত্ৰ, ইমাৰ বংশলোকৰ পোৱালিৰ মুখত এনে সৰু কথা কেনেকৈ ওলাল! দুই সবীমান যে যুঁজিব খোজে ২।৩ বাৰ যুঁজিবলৈ সাহ নাই নেকি? আৰু আমি যে তেওঁক তাঁৰ বন্দুক খোজাৰ কথা কৈছেঁভাল, এতিয়া তেওঁক লাগিব পাবে থাওক; দুই চাৰি বছৰৰ পিচত আমাক লাগিলে খোজা যাব। কিন্তু ওচৰাউচী ঈশ্বৰে আমাক দিছে, তাক মহলমানক কপাপি এবি দিয়া নেযাব।"

এনে সমিধান পাই বামসিংহে আৰু বেলি নকৰি ওচৰাউচীলৈ খোজ ললে। তেওঁ পৰম হিন্দু আছিল; যাওঁতে বাটত হাজোৰ মাধৱ দেৱালয়ত বহুত টকা ভাঙ্গি নিজে পূজা কৰিলে। তেওঁ সঁসেজে আহি আহিয়াপুখুৰি পৰ্য্যন্তৰ কিছু নামনিত তাম্পিবা তৰি কোঁচ মাৰিলে।* * *

বামসিংহে অনেক মহলমান সৈন্য লৈ শবাইখাটত আমাৰ গড় আক্রমণ কৰিলে। এই যে যুদ্ধৰ চুক হ'ল, ক্রমাগত দিন-বাতি অবিশ্রান্তভাবে চাৰিমাহ যুঁজ চলিছিল। দুয়ো পক্ষৰ অসংখ্য সেনা বধত পৰিল। আমাৰ সৈন্যই গড়ৰ ভিতৰত থাকি যুদ্ধ কৰাৰ বাবে আমাৰ হানিতকৈ, মহলমানৰ হানি অনেক বেছি হল; অসমীয়া সেনাৰ বৰতোপৰ আগত হেজাৰে হেজাৰে মহলমান সেনা বাগৰি বলৈ ধৰিলে। অধিকাংশ স্থলত মহলমান সেনাৰ জয় অযাবাহী সেনাৰ ওপৰত নিৰ্ভৰ কৰা দেখিবলৈ পোৱা যায়, কিন্তু শবাইখাটৰ যুদ্ধত অযাবাহী সেনাৰ পৰা একো লাভেই নহল। চাৰিমহীয়া যুঁজত তেওঁবিলাকৰ পৰাজিত সেনাবো ভালকৈ পৰাজি পৰিল; ইপিনে বান বাৰিষাৰ কাল পালেহি।

আওবেৰজেৰ পাচৰেই বামসিংহৰ পৰাজিত সেনাৰ বল কমা বাৰ্ত্তা পাই, আকৌ চৰিণ্ডাৰ্থীৰ তলত বহুত পৰাজিত সেনা কামৰূপলৈ বাঙ্গা কৰালে। বামসিংহ মৰ্ম্মী-স্ত্ৰীউ-সোঁত আদি কবি আকৌ নতুন উৎসাহেৰে যুদ্ধ আৰম্ভ কৰিলে, কিন্তু তেওঁৰ উদ্যম একো ফল নধৰিলে। শবাইখাটৰ ফালে গড় পাব হব পাৰা আশা নেদেখি তেওঁ গাধুৰ ফালে বাঙলী বুজৰুৰ তলে সিদ্ধি কাটি তাত খাৰ ভবাই গড় উৰাই বিবলৈ বুধি কৰিলে; শেন-চুৰুতা ববফুকনে তলে তলে চোৰাংচোৱাত পৰা সেই কথাৰ সন্ধেৰ লৈ গড় ভাগিলইই ততালিকে তাক চৈয়াৰ কৰিবৰ নিমিত্তে সকলো সৰঞ্জাম আৰু মানুহ ঠিক কৰি থাবিলে। বামসিংহে সিন্ধিৰ মুখৰ খাৰত দুই লগাই গড় ভঙ্গা মাত্ৰকে গোটেইখন ঠাই ধুৱলিকুৰলি হ'ল। আৰু কাকো কেৰে নেদেখা হ'ল। সেই হুযোগতে আমাৰ মানুহে ভগা গড় ততালিকে বান্ধি পেলালে। বামসিংহে তুককচৰাৰ সৈন্যক গড়ৰ ভিতৰলৈ হুমুৱাবলৈ যি কলি পাতিছিল সি একেবাৰেই বিফল হল। বামসিংহে তাৰ পিচত আকৌ শবাইখাটৰ ফালেই গড় পাব হবলৈ প্ৰাৰ্থটাকি যত্ন কৰিলে। দুয়ো দলৰ ভিতৰত বিষম যুদ্ধ হ'ল। বামসিংহৰ দুৰ্দ্ধমা বাজপুত সেনাই আমাৰ কাঁড় আৰু বৰতোপৰ ওলাই বাধা নগণি একে হেঁচোকাতে গড় পাৰ হবলৈ লব ধৰিলে; অলেগ পলোৱাৰ মুহাকৰ বাৰ্থবি পৰিল; মবণক ইতিকিং কবি চাবিজন সৈনিক গড়ৰ ওপৰত উঠিল যেন; আমাৰ সেনাই তৎক্ষণাৎ সিহতক তোৰাবোলেৰে কাটি বগাই পেলালে বামসিংহে নিৰুপায় হৈ সৈন্য লাহ হোঁহোকাই নিলে।

* * * *

বামসিংহে ছুৰাটীকালৰ পৰা ওচৰাউচী লব পৰা কোনো আশা নেদেখি, উজাই দৰঙেলি সোমাবৰ মনেৰে দৰঙৰ ফালে আগ বাঢ়িল। দৰঙত তেতিয়া এজনা বাণীয়ে বাজত্ব কৰিছিল। বামসিংহে আগেয়ে মহলমানে দৰঙ সোমাবৰ চেষ্টা কৰিব পাৰে বুলি ভাবি, বাণীৰ ৰক্ষত বহুত সেনা যি যুদ্ধৰ নিমিত্তে সাজু কবি থাবিছিল। বামসিংহে দৰঙৰ সীমাত ভবি দিব খোজামাত্ৰে বাণীয়ে বাধা দি পঠালে আৰু যুদ্ধৰ কাৰণে সেনা দি পঠালে। দৰঙৰ সীমাতো তুমুল যুদ্ধ হল আৰু বহুত মহলমান সেনা বধত পৰিল। বামসিংহে বেছাৰ আৰু অপমানত মৰাৰ তুল্য হৈ, তাৰ পৰা উজতি আহি দলিবাবী পচবিয়াত কোঠ দি বল।

* * * *

বামসিংহে যুদ্ধ কবি কোনোমতে ওচৰাউচী লব পৰাৰ আশা নেদেখি পণ্ডিত বাইক কটকী কবি ববফুকনৰ ওচৰলৈ পঠিয়াই কোৱাবলে যে, ওচৰাউচীত যুদ্ধ মবা খবচৰ বাবে তিনি লাখ টকা লওক। ববফুকনে বামসিংহৰ প্ৰস্তাৱ বুচাবোঠীহঁতৰ লগত আলোচনা কবি চাই স্থিৰ কবিলে যে, ওচৰাউচী এবি দিলে মহলমানে গোটেইখন অসমদেশকে ধৰ। এতেকে কোনোমতে ওচৰাউচী মহলমানক এবি দিয়া যুক্তিসঙ্গত নহয়। এই কথা স্বর্গদেৱলৈ জনাই পঠোৱাত, স্বর্গদেৱেও সেই মতকে ভাল বুলিলে। বামসিংহক সেই ভাবেই উত্তৰ দিয়া হল।

* * *

ছল-বল-কৌশল সকলোতে পৰাস্ত হৈ বামসিংহে ব্ৰহ্মপুত্ৰ নদীৰেদি উজাই ওচৰাউচীত উটিবৰ নিমিত্তে চেষ্টা কৰিলে। ১৫০০ শকৰ জ্যৈষ্ঠমাহত চৰিণ খাঁক নৌ-সেনাৰ সেনাপতি পাতি শবাইখাটৰ পৰা বহুত সাহিয়াল সেনাক নাৱেবে উজাই পঠালে। পণ্ডিত বাহ ববফুকনক বোপেৰবৈলে আৰোঁতে দেখি পৌঁছিল; সেইদিনে ওচৰাউচীলে খোৱা তুলিব পাৰিব বুলি ভাবি, নাৱতে তুককচৰাবী সেনা বিলাক পঠাইছিল। পণ্ডিত বাহ ঘোৰাৰ পাচতে ববফুকনে মহলমানৰঁতে য়েন চেষ্টা কৰিবৰ সম্ভৰ বুলি ভাবি, বিন বাতি কবি আঙ্কাক বান্ধি গড় বন্ধালে। দুশাবী শালৰ খুটা পুতি তাত নগাবাবি পাতি মাজত বালি দি এই গড় বান্ধিছিল।

* * * *

চৰিণখাৰ সৈন্যৰ নাও আমাৰ পানীবৰীয়া সেনাক পৰাস্ত কবি উজাই আহিল।

চাই থাকোতে থাকোতে শত্ৰুৰ নাও আহি আঙ্কাক বালিব পোন পাইলে। বহুত দিনৰ মানসিক আৰু কায়িক পৰিশ্ৰমৰ ফলস্বৰূপে সেই দিনা ববফুকনৰ তাৰকঁপা খুব উঠিছিল। খেতিয়া ফুকনে শুনিলে যে মহলমান সেনা নাৱেবে উজাই আহি আঙ্কাক বালিব পোন পাইছে খেতিয়া তেওঁ বিছনাৰ পৰা উঠিব নোৱাবাৰ নিমিত্তে বিছনাই সৈতে বাহিৰলৈ নিবলৈ আদেশ দিলে। বাহিৰলৈ গৈ মহলমান সৈন্য ওচৰাউচীৰ নিচেই ওচৰ চপা দেখি, তেওঁৰ পীৰা মাউত ধৰলৈ দিদি একোবাৰেই নাহত তুলিবলৈ হুকুম দিলে। আৰু বাইকও ধৰালে। ববফুকনে মহলমান সৈন্যৰ ওচৰলৈ যাবলৈ আগেয়ে নিজৰ কোলাত তুলি লৈ পৰাস্ত হৈ থকা বাইকক জানিছিল, এনেকুৱাকৈ দেশৰ নিমিত্তে নিজৰে প্ৰাণ দিবলৈ আগবাঢ়িছিল আৰু এনেকুৱা কাৰ্য্যকৰ্ম আছিল বুলি কোনোবাই বিশ্বাস কৰিবনে? পাঠক! আহাঁ সকলোৱে সমল চিত্তেৰে এই অধঃপতনৰ কাৰণ অনুসন্ধান কবোহক।

দক্ষিণ ভাৰতৰ নৃত্যকলা



নৃত্যকলাপটু কুমাৰী এনাক্ষী ৰমাৰাও এজনা বিখ্যাত নাচনী। পৃথিবীছুৰি তেওঁৰ খিয়াতি বিয়পি পৰিছে। তেওঁ বিশেষকৈ দক্ষিণ ভাৰতৰ নৃত্যাবোৰ দেখুৱায়। এই ছবিবোৰে কুমাৰী এনাক্ষীৰ নাচৰ ভিন ভিন অৱস্থা প্ৰকাশ কৰিছে।



কুমাৰী এনাক্ষীৰ নৃত্যৰ এই দুটা অৱস্থাই লাজকুৰীয়া ভাৰ আৰু মোহিনী ৰূপ বুজাইছে।



মিছ ৰমাৰাওৰ নাচৰ আন দুটা অৱস্থা। এই দুই অৱস্থাই ভগৱানলৈ মালা নিয়া দেখুৱাইছে।





মিছ ৰমাৰাওৰ নাচ আৰম্ভ কৰাৰ আগেয়ে প্ৰাৰ্থনাৰ অৱস্থা



কুমাৰী এনাক্ষীৰ আন এটা নাচৰ অৱস্থা। এই অৱস্থাই আনন্দ প্ৰকাশ বুজাইছে। এই নৃত্য গোন্তে হাতৰ অঙ্গভঙ্গীৰে আৰম্ভ কৰা হয়



কুমাৰী এনাক্ষী ৰমাৰাও, এম-এ

ট্ৰেপ্‌ড্‌ (Trapped) নামে সবাক্‌ ছায়াচিত্ৰ এখনত শ্ৰেষ্ঠাংশত অভিনয় কৰিছিল।



অজন্তা গুহাস্থ প্ৰাচীন ভাৰতৰ নৃত্য দেখুৱা চৃণবালিৰে কৰা মূৰ্ত্তি আছে। মিছ এনাক্ষীৰ নৃত্যৰ এই অৱস্থাটো সেই মূৰ্ত্তিৰ

কবি-বিভ্রাটৰ ফুৰ্ফুৰণি

—শ্ৰীযুত কৃপাবৰ বৰবৰুৱা

কবি-বিভ্রাটৰ ফুৰ্ফুৰণি মোৰ ভাবৰ বুৰুবণিৰ অন্তৰ্গত। প্ৰবন্ধটোৰ মুবশিতানত ভাবৰ বুৰুবণি নিদিয়াৰ মানে মাথোন এইটো যে বুৰুবণি ঘনে ঘনে ওলোৱা দেখি তাৰ ওপৰত মানুহৰ বিতৃষ্ণা জন্মিবও পাৰে। সেইদেখি থাবৰ মন নোযোৱা একেটা মাছৰে খুটুবাচেবেকে মলমলাই ঘোৱাকৈ ভাজি পাঠকৰ পাততে দিয়া গল। পাঠক ভকতসকলে খায় যদি, গুণ লব; নাথায় যদিও মোৰ ধৰম কৈলে যাব? তাহানি আমাৰ বজাৰ দিনত, মৰিয়াবোৰ এটা বিষম সমস্যা হৈ উঠিছিল। সিহঁতক যি কামতে লগোৱা যায়, তাতে সিহঁতে "দগাবাজি" কবিছিল। এবাৰ বজাই দেখি দেখি সিহঁতক বজাৰ হাতীখাঁহী কবি দিলে। সিহঁতে খাঁহ কাটি বজাৰ হাতীৰ দুই মুখে ইমানকৈ ওঁজিবলৈ ধৰিলে, যে বজাৰ কেইবাটাও হাতী মবি যমৰ ঘৰলৈ গল। গতি বিষম দেখি, বজাই সেই কামবপৰা সিহঁতক "বৰখাস্ত" কবি, ধানখেতি কবিবলৈ লগাই দিলে। ফলত, বাৰ শ মৰিয়াই তেৰ শ পুৱা ধান আজি বজাৰ আগত থৈ আঠু লৈ কলে—"সৰ্গদেও! এ-নাবী! আমি বাৰ শ মৰিয়াই তেৰ-শ ধান আমাৰ সৰ্গদেৱক আজি দিলোঁ এ-নাবী! খায় যদি, সৰ্গদেৱে আমাৰ গুণ লব; নাথায় যদি, আমাৰ ধৰম কৈলে যাব?" ইত্যাদি কাৰণৰ নিমিত্তে মই এই প্ৰবন্ধটোৰ মুবৰ পাণ্ডবীটো ভাবৰ বুৰুবণি নিদি কবি-বিভ্রাটৰ ফুৰ্ফুৰণি দিলোঁ; যাব যেনে মন যায় তেনে-ভাৱেই লওক। ববৰবৰুৱাৰ ভাবৰ বুৰুবণিত অকল যে ভাবেই থাকে এনে নহয়; তাত ভাব, অভাব, প্ৰভাব, বিভাব এই চকুবৰ্গ বিদ্যমান। মহাপুৰুষৰ কীৰ্ত্তনত কৈছে—

"কৃষ্ণৰ কীৰ্ত্তন কবি বৈকুণ্ঠক যায়।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ আত সবে পায়॥"

সেই আঁহিতে পাঠকে ববৰবৰুৱাৰ বুৰুবণিত চকুবৰ্গ পায়। ভাবাভাব প্ৰভাবাদি চাবিউকেটি ভাই ইত্যাদি অনেক কথা আৰু আৰু বিস্তৰ বতবা, ভাবি চিন্তি, লখাই বাপুহে মহামহিম মহিমাৰ্ণব কৃপাবৰ ববৰবৰুৱা ডাঙৰীয়াৰ আগত উপস্থিত হৈ কোৱা কথাৰ বিবৰণ লেখিলোঁ। লখায়ে কলে, "ডাঙৰীয়া শুনিছেনে, কবি-বিভ্রাটৰ কথা?

ববৰবৰুৱা।—কাৰ কথা? কোন কবিৰ?

লখাই।—সেই সেই তেওঁৰ কথা।

ববৰবৰুৱা।—গথাই, তোমাক মোৰ কবৰ মন গৈছে, "হিয়াচে নিকালো আভি!" নতুবা তুমি মাটিত "লম্বা হৈ" পবি মোৰ ক্ষমা প্ৰাৰ্থনা কবা। তুমি "তেওঁৰ" "তেওঁৰ" কবিছা যে মই তোমাৰ "তেওঁৰ" আইৰ খালৰ কুটুম নে, যে "তেওঁৰ" বুলিলেই বুজি উঠিম? হয়, তোমাৰ "তেওঁৰ" নামটো কাচি কোৱাঁ, নহয়, ইয়াপৰা উঠি যোৱাঁ।

লখাই।—ডাঙৰীয়া, আপুনি খং নকবিব। মই হোল-গোজ মানুহ। তেওঁৰ নামটো মোৰ মুখত ভালকৈ নাহে দেখিহে কব পবা নাই। তেওঁ আৱগাৰী দাবোগা। নামটো মৌলবী দিল—দিল—দিল—, এ পাহৰিলোঁ! খং নকবিব ডাঙৰীয়া। আকৌ মই নাও বুবালোঁ।

ববৰবৰুৱা।—তুমি পাহৰিলেও এতিয়া আৰু নাও হুযুবে, আৰু তোমাৰ "তেওঁ" আৱগাৰীদাবোগা আৰু কবি হৈ থকাত ব্যাঘাত নঘটে। কাৰণ, মই এতিয়া বুজিলোঁ, তুমি কাৰ কথা কবলৈ গৈছা, মৌলবী দিলৰাব ৱালি ছাহাবৰ কথা নহয় নে?

লখাই।—(টিলিকি এটা মাবি) হয় ডাঙৰীয়া হয়, তেওঁৰে কথা।

বৰ।—তেওঁ যে কবি, আৰু এজন মাতব্বৰ কবি, সেইটো মই জানো। তেওঁৰ কি বিভ্রাট ঘটিল? বেচেবাই কি কবিলে? তেওঁ তো অতি নিবীহ ভদ্রলোক।

লখাই।—কি আৰু কবিব! বসুবাই কবিতা লেখে, দাবোগাগিবি কবে আৰু ভাত খায়। এইবাব কিন্তু কবিতা লেখি পেবেঙ্গনিত লাগিল। কবিতা লেখাটো তেওঁৰ বাযুব বেমাবৰ নিচিনা, ডাঙৰীয়াই জানেই। বোলো লেখে লেখক, তাত কাৰো হানি-বিধিনি নাই। কিন্তু তেওঁৰ সেই নবিয়া নে খোচবা ব্যাধিটো লোকৰ গাত তেওঁ লগাবলৈ যায় কিয়? বাটৰ বাটকৰাক যদি তেওঁ তেওঁৰ কবিতা শুনায় কিয়? এইটো ন্যায়তঃ ধৰ্ম্মতঃ লোকৰ ওপৰত বলাৎকাৰ নহয় নে? নিজৰ কবিতা আনক শুশুনালে যদি তেওঁৰ পেটৰ ভাত জীণ নাযায়, তেন্তে তেওঁ কবিতা লেখে লেখক, তাত কাৰো আপত্তি নাই; কিন্তু চাওদানা বা ভাতৰ মন্দ থাই "চাওা" হৈ থাকিলেই দেখোন হয়। তেওঁ তো জনা বুজা মানুহ; তেওঁৰ নবিয়াটো ভাল চিকিৎসকৰ হুতুৱাই চোৱাই-চিতাই ধৰব-জাতি থাই আবোগ্য হলেই দেখোন লেঠা ছিগে। অৱশ্যে মই জানো ডাঙৰীয়া যে পৃথিবীত চাৰি চামে মানুহ আছে। গুণগ্ৰহক নিচিনাকৈ এচাম শুকাই যায় আৰু এচাম হয়। এচাম আছে, মনোহৰ কল খোৱা নৰাৰ পেটত কৃমি হোৱাৰ দৰে তেওঁলোকৰ পেটতো কবিতাৰ কৃমি ওপজে, আৰু উপজি বপুবাইতক আহুকাল কবি মাৰে। তেওঁলোকে পেলুৰ দেশী বা বিদেশী দৰৰ এপালি বা দুপালি খাই সেই ব্যাধিৰ হাত নাসাবি, কাপ, মৈনাম আৰু তুলাপাত তে তাত কবিতাৰ কাকতীকৰিংবোৰ মেলি দি মনুষ্যসমাজত অশান্তিৰ সৃষ্টি কবে কিয়? লাভৰ ভিতৰত বপুবাইতে নিজেও কষ্ট পায়, লোককো কষ্ট দিয়ে। ডাঙৰীয়াক কলেও দেখোন তেওঁলোকে ডাঙৰীয়াৰপবা এপালি দুপালি পেলু-মবা দৰব লৈ যাব-পাবে। ডাঙৰীয়াই জানে দেখি কওঁ যে আজিকালি আমাৰ দেশত মাহেকীয়া কাকত বঢ়াৰ লগে লগে কবিতাৰ "এপিডেমিক"ও বাঢ়ি উঠিছে। এডে বোলে মই কবি, বেঙে বোলে মই কবি, আৰু দেখাক দেখি চেঙেও বোলে মইবা কবি নহম কৈলে? কালিদাসৰ হাতীশালত থকা ইটাল হাতীটোৱে বোলে মোৰ দুটা দাঁত, ভকতদাসৰ ঢেকীশালত থকা নিগনিটোৱেও বোলে মোৰ বা দুদাঁত নহব কিয়? এনেকুবা নিগনি-কবিৰ তাপত দুৰ্ভগীয়া কাকতৰ সম্পাদকে ভালকৈ এপুমুটি শুবলৈকো নাপায়।

তেওঁৰ চকুত চিল্‌মিলকৈ টোপনি আহিলেই নিগনি-কবিয়ে চালৰ পছাত থৰ্ণবায়, থবৰ মুখত ধৰ্ফবায়। আৰু বপুবা সম্পাদকৰ টোপনি! ববৰবৰুৱা ডাঙৰীয়াৰ ভু থাকিব পায় যে কিছুমান কবিৰ কবিতা Still-born হয় অৰ্থাৎ গৰ্ভতে মবি ওপজে; কিছুমানৰ, আমাৰ কীৰ্ত্তনত লেখাৰ দৰে, ধাবকাত বিপ্ৰ-পুত্ৰৰ নিচিনাকৈ "ভূমিক দুইলেক মাত্ৰ প্ৰাণ গৈল টুটি" হয়; কিছুমানৰ "যথা পূৰ্ব্বং তথা পৰং" ৰূপে সেই বিপ্ৰৰ পুত্ৰবোৰৰ দৰে ৯ বাৰ মৰে, আৰু বামুণে তাৰ বাবে কৃষ্ণক দায়ী কবাব দৰে, তেওঁলোকে সম্পাদক দায়ী কবে।—

"এহি মতে বিপ্ৰৰ মবিল পুত্ৰ নব।
ভংসস্ত ব্ৰাহ্মণে দুৱাৰত পেণাই শৰ॥"

নিজৰ কৰ্ম্মদোষত যে এই মৃত্যু ঘটিল, সেই কথাটো মন নকবি বামুণে কৃষ্ণক গালি পবাৰ দৰে এইবোৰ কবিয়ে কাকতৰ সম্পাদকক গালি পাবে। অৱশ্যে এইটোও নামানি নোৱাৰি যে, কংসই দৈবকীৰ পুত্ৰবোৰৰ ওপৰত কংসগিবি কবাব দৰে কিছুমান সম্পাদকে চণীয়া কবিৰ কবিতাৰ ওপৰত সম্পাদক-গিবি কবে। তেনে অৱস্থাত যোগমায়াই কংসৰ হাতব পবা পুলকি সাবি গৈ আকাশীবাণী কবাদি সেই কবিতাদেবীয়েও আকাশী-বাণী কবি সম্পাদকক এসেকা দিয়ে। শাস্ত্ৰৰ পদ উদ্ধাৰ কবি আমাৰ্কথা বোধগম্য কবোঁ।—

"পাছে যোগমায়া (এইখিনিত কবিতাই) হাসিয়া বোলয়,
শুনবে কংস (এইখিনিত সম্পাদক) নিশ্চল।
আমাক মাবিয়া (অৰ্থাৎ ছপা নকবি) কোন ফল পাইবি,
যাইবি পাপী বসাতল॥ (অৰ্থাৎ তোৰ কাকত অচিবতে মবিব)

ঠিয়াইত ঠিয়াইত উপজিল গৈয়া
তোৰ পূৰ্ব্ব প্ৰাণবৈবী।

(অৰ্থাৎ তোৰ কাকতত নছপালেও আনৰ কাকতত সেই কবিতা ওলালগৈ)

দুখিনী দৈবকী ব্যৰ্থে হিংসা কব
(অৰ্থাৎ কবিক মিছাতে খিয়াল কব)
অধোগতি যাইবি মবি॥
(অৰ্থাৎ সম্পাদক আৰু তাৰ কাকত।)
এতেক বচন বুলি ভগৱতী
(অৰ্থাৎ কবিতা দেবী)
কংসৰ আগে শুনাই।

অনেক থানত থাকিলন্ত পাছে
নানা পূজা বলি খাই ॥

(অৰ্থাৎ আন আন অনেক মাহেকীয়া কাকতৰ বুকুত নিবাস কৰিলে।)

বৰবৰুৱা।—বাপু লম্বাই! তোমাৰ এই এবকলা বক্তৃতা মই ধৈৰ্য্য ধৰি শুনিলোঁ! আৰু শুনিব নোৱাৰোঁ। দিলৱাৰ আলি ছাহাবে কি কৰিলে কোৱাঁ।

লম্বাই।—কওঁ শুনক। সিদিনা "আৰ্ম্মেষ্টিচ্ ডেৰ" দিনা, জিলাৰ বৰচাহাবে দৰৱাৰ পাতি, পুলিচৰ "পেৰেড্" স্কুলৰ ছাতৰৰ হতুৱাই "দ্ৰিল" "বই স্কাউটৰ" খেল দেখুৱাবৰ বন্ধবস্ত কৰিছিল। আমাৰ দিল ছাহাবে সেই উপলক্ষে কবিতা এটা লেখি স্কুলৰ ছাতৰবোৰৰ হতুৱাই সেইটো গোৱাবলৈ জিলা-চাহাবৰ অনুমতি বিচাৰিছিল। চাহাবে অনুমতি নিদিলে। কিন্তু সেই বুলি মৌলবী ছাহাবৰ কবিতাটো ওলাল যেতিয়া সি আৰু অন্তৰ্দ্ধান হব নোৱাৰে। "হাতীকা দাঁত মৰদকা বাত।" মুছলমান লৰাৰ নিমিত্তে পতা "অৰ্ফেনেজত" সেই দিনাই তেওঁ সভা পাতি তেওঁৰ কবিতাটো পঢ়িলে। লগতে কবিতাৰ মান ধৰিবলৈ তেওঁ নিজেই দুটা গজল গান গাই দিলে। আহুকালৰ কথা যে অৰ্ফেনেজৰ টোলৰ ভিতৰতে মজিদ এটা আছিল। সেই দেখি নৈষ্ঠিক মুছলমানৰ ভিতৰৰ কিছুমানৰ উঠিল খং। ফলত কথা কটাকটি, গলিয়াগলি, আৰু তাৰ পিছত আদালতত মানহানিৰ মকৰ্দ্দমা। এইখন কি কথা, বৰবৰুৱা ডাঙৰীয়া ভাবি চাওকচোন।

বৰবৰুৱা।—অনেক ভাবি চাইছোঁ, অনেক চিন্তি চাইছোঁ। চাই পাইছোঁগৈ যে এই পৃথিবীখন এটা প্ৰকাণ্ড "চিৰিয়াখানা" যাক ইংৰাজীত "জুৱলজিকেল গাৰ্ডেন" বোলে। আন নালাগে এক মানুহৰ ভিতৰতে বাঘ আছে, সিংহ আছে, শিয়াল আছে, গোনামহ আছে, আৰু গৰ্দ্দভ আছে। তুমি ময়ো এই চিৰিয়াখানাৰ বাজত নহয়। কিয় এইদৰে বুলিছোঁ, তাৰ কাৰণটো পিছত তোমাক কম।

লম্বাই।—কবিতা লেখি লোকক ধৰি শুনোৱাটো এটা ৰোগ ডাঙৰীয়া।

বৰবৰুৱা।—ৰোগ নহয়, স্বাভাবিক কাণ্ড। ফুল-গছত ফুল ফুলিলে, গছে সেই ফুলৰ গোন্ধ নিজেও যেনেকৈ উপভোগ কৰে, লোককো শুঙাই সুখী হয়। ফুলগছৰ কথাকে নকওঁ, ভেদাইলতাইও তাৰ পাতৰ "সৌৰভ" তাৰ কাষৰে-পাজৰে অহা-যোৱা কৰাজনক নিদি নেৰে। তেনেকুৱা কৰি যদি স্বকীয় সৌৰভ বিলনীয়া ভেদাইলতাই

"আমি আপনাৰ মনে আপনি হাৰা,
আপন সৌৰভে সাৰা,
আমি আপনাৰ মন আপনাৰ প্ৰাণ
আপনাতে সপি আছি।
সুখে আছি,সুখে আছি।" (ৰবীন্দ্ৰনাথ)

এইদৰে গায়, তেন্তে সেই সুখৰ সপোন ভাঙিবৰ তোমাৰ কি অধিকাৰ আছে?

লম্বাই।—কিন্তু ডাঙৰীয়া আপোনাৰ ভেদাইলতা কৰি আপোনাতে আপোনাক সপি যি সুখ পায় পাওক, লোকক আমনি কৰি মাৰে কিয়?

বৰবৰুৱা।—দিগ নহয় মোৰ লম্বাই, দিগ নহয়; সেইটো কবিতাৰ ভেদাইলতীয়া আদান প্ৰদান। আদান প্ৰদান নহলে কোনো জীব নোৱাৰে। পুথিত লেখিছে—"বিনাশ্ৰয়ে ন জীবন্তি কবিতা বনিতা লতা।" জীলেও বাঢ়িব নোৱাৰে। সেইটো স্বভাৱ কবিৰ নিজস্ব। কোট্‌কোৰা গছৰ কাঁইট যেনেকৈ কোট্‌কোৰাৰ নিজস্ব, বিছাৰ শুং বৰলৰ হুল যেনেকৈ বিছা আৰু বৰলৰ নিজস্ব, ইয়ো তেনেকৈ কবিৰ নিজস্ব। সি তোমাৰ অনুমতি বা বিৰকতিৰ মুখলৈ চাই বহি থাকিব নোৱাৰে। যাওক, দিলৱাৰ আলিৰ মকৰ্দ্দমাৰ দিন কেতিয়াকৈ পৰিছে?

লম্বাই।—চতৰ বিহুৰ দিনা।

বৰবৰুৱা।—মৌলবী চাহাবক কবা, তেওঁ যেন মোক সাক্ষী মানে। মই সেইদিনা কাছাৰীঘৰত উঠিম, আৰু কবিৰ হকে সাক্ষী দিম। কবিক তোমালোকে কম যেন নেদেখিবা। কবি কোন? কবি ব্ৰহ্মা। কবি বাল্মীকি। কবি শুক্ৰাচাৰ্য্যঃ সূৰ্য্যঃ, আৰু কল্কিদেৱস্য জ্যেষ্ঠভ্ৰাতা। কল্কিদেৱ কোন? কল্কি বিষ্ণুৰ দশাৱতাৰৰ শেষ অৱতাৰ।

"কলিৰ শেষত হৈব কল্কি অৱতাৰ।"

কলিৰ শেষত কল্কি সম্বলপুৰত বিষ্ণুযশা নামে ব্ৰাহ্মণৰ ঘৰত অৱতাৰ হব। "কল্কিং দ্ৰষ্টুং হৰেৰংশমাবিৰ্ভূতঞ্চ সম্ভলে।" সম্ভলগ্ৰাম মুখ্যস্য ব্ৰহ্মণস্য মহাত্মনঃ। ভবনে বিষ্ণুযশসঃ কল্কিঃ প্ৰাদুৰ্ভবিষ্যতি"—(শ্ৰীমদ্ভাগৱত)। কল্কিৰ মাকৰ নাম হব সুমতী।

"সুমতিস্তং সুতং লব্ধা বিষ্ণু জিষ্ণুং জগৎপতিম।"
(কল্কিপুৰাণ)

কবি এনে কল্কিৰ বৰককায়েক ("Big Brother")। তোমালোকে এনে কবিক আজিকালি যে সন্মান নকৰাইকেই, তাৰ ওপৰত মকৰ্দ্দমা। "গণ্ডসোপৰি বিস্ফোটকং"!!

সংগ্ৰহ

—শ্ৰীযুত নীলমণি ফুকন

"নাৰীৰ উচ্চ শিক্ষা"ৰ আনপিঠি

২য় বছৰৰ আহাৰ মাহৰ "আৱাহনত" নাৰীৰ উচ্চ শিক্ষা বুলি যিটি প্ৰবন্ধ ওলাইছিল তাৰ আৰু এপিঠি আছে বুলি কব পাৰি। তাকেই ইয়াত দিয়া হল। ইয়াৰপৰা এই জটিল প্ৰশ্নৰ দুপিঠিকেই দেখা যাব।

নৱম বছৰ "আলোচনী"ৰ প্ৰথম সংখ্যাত এই বিষয়ে সম্পাদকীয় স্তম্ভত "স্ত্ৰীশিক্ষা" বুলি যি সমালোচনা কৰা হৈছিল সেই সমালোচনাকেই বৰ্ত্তমান প্ৰবন্ধ "নাৰীৰ উচ্চ শিক্ষা"ৰ আনপিঠি বুলি ধৰিব পাৰি। সেই কথাখিনি ইয়াত হুবহু তুলি দিয়া হ'ল।

স্ত্ৰীশিক্ষা

তিৰোতা জাতিৰ ঘাই কাম ঘৰ ধৰা। সেই কাৰণে আমাৰ দেশত এদলৰ এই মত যে ছোৱালীবিলাকক অধিক শিক্ষা দিয়াৰ দৰকাৰ নাই। ৰন্ধাবঢ়া, বোৱা-কটা, তাৰ লগে লগে ৰামায়ণ মহাভাৰতৰ দুই অধ্যায় পঢ়িব পৰা হলেই যথেষ্ট। এই বিষয়ে মাৰ্চ্চ মাহৰ East and West কাকতত "ভাৰতীয় তিৰোতাৰ অধিকাৰ" শীৰ্ষক প্ৰবন্ধত যি উত্তৰ পোৱা গৈছে তাক আমি ইয়াত তুলি দিলোঁ:—স্ত্ৰী শিক্ষা সম্বন্ধে আমাৰ দেশত অদ্ভুতীয়া কথা শুনিবলৈ পোৱা যায়। প্ৰায় শুনা যায় ছোৱালীজনীক শিক্ষা দিয়াৰ ঘাই উদ্দেশ্য হৈছে যাতে ছোৱালীজনীয়ে আগলৈ গৃহিণী আৰু মাতৃপদৰ যোগ্যা হয়। এইখিনিতে এই কথা কৈ থোৱা উচিত যে লৰাৰ সম্বন্ধে আমাৰ তেনে ধাৰণা নহয়। কেৱল উপযুক্ত স্বামী বা পিতৃ হবলৈকে আমি লৰাক শিক্ষা নিদিওঁ। জীবিকা আৰ্জ্জনো শিক্ষাৰ ঘাই উদ্দেশ্য নহয়। আমাৰ দেশত শিক্ষিত পুৰুষ আৰু তিৰোতাৰ ভিতৰত যি ব্যৱধান আছে তাক কমাবলৈ চেষ্টা কৰা উচিত। একে বিধৰ শিক্ষাই ইয়াৰ মহৌষধি। মূলতে শিক্ষা একে ধৰণৰ হব লাগিব। লৰাই ইংৰাজী শিক্ষা পালে ছোৱালীয়েও তাক পাব লাগিব। আগলৈ সংসাৰ যাত্ৰাত দুইৰো কাম বেলেগ হব পাৰে কিন্তু সেই বুলি প্ৰথমতে দুইকো একে ভেটিতে থিয় হবলৈ নিদিয়াটো অযুগুত। বহুতে কয় ছোৱালীবিলাকক আৰম্ভণৰে পৰা ৰান্ধিবলৈ, গান গাবলৈ, ছিলাই কৰিবলৈ শিকাব লাগে। কিন্তু সেই দৰে আগলৈ উকীল হব খোজা লৰা এটাই হলে শিক্ষাৰ আৰম্ভণতে মক্কেলৰ লগত কেনেকৈ কথা বতৰা হব লাগে, জুৰি আদালতক কেনেকৈ সম্বোধন কৰিব লাগে সেই বিষয়ে আখৰা নিদিয়ে। আন কি, শিক্ষা প্ৰায় সমাপন কৰিহে আইনৰ মূল কথা কেইটাকেহে শিকে। ৰন্ধা-বঢ়াই শিক্ষাৰ এটা বিশেষ অঙ্গ হব নোৱাৰে। ইয়াক সহজে শিকিব পাৰি। শিক্ষাৰ প্ৰভাৱ ইয়াত নাই। এয়ে হলে আমি লৰাকো জোতা বুৰজ কৰিবলৈ, দাঢ়ি খুৰাবলৈ, কাপোৰ পিন্ধিবলৈ, উকীলৰ গাউন গাত দিবলৈ শিকাব লাগিব; কাৰণ এনে বহুত মানুহ আছে যি জোতা বুৰজ কৰা, দাঢ়ি খুৰুৱা বা পোছাক পিন্ধা কাম ভালকৈ নাজানে। আৰু ৰন্ধা-বঢ়া, ছিলাই কৰা আদি কাম ছোৱালীৰ লগত লৰাই শিকিলেও কোনো হানি নাই। এই বিলাক কাম জানিলে কোনো লৰাৰ অপকাৰ নহয়। বৰং সময়ত ই কামত আহিব।

"ফেঁচাৰ ফেঁচী, ইন্দ্ৰৰ শচী" এই কথা যদি সঁচা হয় তেন্তে তিৰোতাক ফেঁচীকৈ ৰাখিলে অৰ্থাৎ পুৰুষৰ জ্ঞানালোক যদি তিৰোতাৰ পক্ষে আন্ধাৰ হয়—তেতিয়া ফেঁচী-তিৰোতাৰ লগত ইন্দ্ৰ-পুৰুষো যে ফেঁচা হব লাগিব তাৰ কোন সংশয় নাই।

বিলাসৰ উপকৰণ



এক্টনে প্লেটনম শোধন কৰিছে

পৃথিবীৰ সৰাতো দ্রুতগামী ৰেলগাড়ী

এই ছবিত দেখা ৰেলগাড়ীখনৰ বেগ পৃথিবীৰ আটাইবোৰ ৰেলগাড়ীতকৈ বেছি। এই ৰেলগাড়ীখন গ্রেট-বিটনৰ গ্রেট ৱেষ্টাৰ্ণ ৰেলৱেৰ—নাম 'চেল্‌টেন্‌হাম্ ফ্লায়াৰ'। ছুইণ্ডন নামে ঠাই এডোখৰপৰা লণ্ডন ৭৭½ মাইল আঁতৰত, এইডোখৰ বাট আহোঁতে ৰেলগাড়ীখনক এক ঘণ্টা ন মিনিট সময় লাগে।



পৃথিবীৰ সৰাতো বেগী ৰেলগাৰী

আজিকালি প্লেটনম্ বিলাসৰ এবিধ আৱশ্যকীয় সামগ্রী হৈ উঠিছে। সাধাৰণতঃ মণি-মুকুতা ঘুউৰা অলংকাৰৰ কামত ইয়াক ব্যৱহাৰ কৰা হয়। লণ্ডনৰ এক্টন নামে এজন মানুহে, পৃথিবীত যিমানখিনি প্লেটনম্ লগা হয়, তাৰ তিন ভাগৰ এভাগ যোগাৰ পাৱে। ওপৰৰ ছবিত দেখা মানুহজনেই এক্টন। তেওঁ তেওঁৰ ধাতু-শোধক কাৰখানাত ১,৫০০ পাউণ্ড মূল্যৰ প্লেটনম্ শোধন কৰিব ধৰিছে।

বৈজ্ঞানিক উপায়েৰে গাই খীৰোৱা

গাইবপৰা কি উপায়েৰে স্বাস্থ্যৰ উপযোগী পুষ্টিকৰ গাখীৰ পাব পাৰি, তাক ইংলণ্ডৰ 'ষ্টাকাৰ গৰ্ডন লেবৰি টৰীজে' আজি দুকুৰি বছৰ পৰীক্ষা আৰু অনুসন্ধান কৰিছে। শেষত তেওঁলোকে গাই খীৰোৱাৰ এটা নতুন উপায় উলিয়াইছে। ওপৰৰ ছবিত যিডোখৰ মুকলি সমতল ঠাই দেখা গৈছে, সি বৃত্তাকাৰ। ইয়াৰ ব্যাস ৬০ ফুট। ইএমিনিটত ১৫ ফুট ঘুৰে। আৰু পতিবাৰ ঘুৰোঁতে ৫০ জনী গাই আপোনা-আপুনি খীৰোৱা হৈ যায়। ৭ ঘণ্টাত এই ঘূৰ্ণমান খীৰোৱা পদ্ধতিৰে ১,৬০০ জনী গাই পৰিষ্কাৰ কৰিব আৰু খীৰাৰ পাৰি।





গাইৰ বাঁট মচিব ধৰিছে



গামোচা। বাঁটবোৰ যাতে চফাই থাকে তালৈ বিশেষকৈ চকু ৰখা হয়। ধুৱাঁৰ পিছত গামোচাৰে বাঁটবোৰ মচি দিয়া হয়।

এজনী গাইক খীৰোৱা শালৈলৈ ধুবৰ নিমিত্তে নিয়া হৈছে।

গাইবোৰক ধুবলৈ প্রত্যেকজনীৰ কাৰণে একোখন

গাইবোৰ খীৰাওঁতে যি সাজত গাখীৰবোৰ পৰিছিল, তাৰেপৰা আপোনা-আপুনি জোখা যন্ত্ৰত পৰিব



ধৰিছে। আৰু তাৰেপৰা 'পাম্প' কৰি গাতে লগা আন এটা খোটালীলৈ পঠোৱা হৈছে। সেই খোঁটালীত গাখীৰ বটলত ভৰোৱা হয়।

ওপৰত বৰ্ণনা কৰা প্ৰণালীৰে কেনেকৈ গাই খীৰোৱা হয় তাক এই ছবিত দেখুৱা হৈছে। গাইৰ বাঁটৰপৰা গাখীৰ ওপৰত দেখিবলৈ পোৱা গিলাচবোৰলৈ যাব ধৰিছে। গিলাচলৈ গাখীৰ যাওঁতে বতাহ লাগিব নোৱাৰে।



বৃটীছ ছাব-মেৰিণৰ ইঞ্জিন



এই ছবিখন বৃটীছ ছাবমেৰিণ (পানীৰ তলে যোৱা জাহাজ) "এল ১৫৬"ৰ ইঞ্জিনৰ ছবি। প্ৰধান ইঞ্জিনিয়াৰ ছাহাবে বৃহৎ ইঞ্জিনৰ কলকব্জাবোৰ চাব ধৰিছে।

পাৰ্থ-সাৰথি

নাট— —শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা, বি-এ

১ম অঙ্ক-১ম দৃশ্য

(দ্বাৰকাৰ প্ৰমোদ বন। সময় পুৱা। নগৰীয়া গাভৰু তিনি গৰাকীয়ে হাতে প্ৰতি ফুলৰ মালা লৈ কৃষ্ণলৈ বাট চাই গীত গাই নাচি আছে।)

আকাশে পাতালে নাচে তালে তালে
তোমাৰে বাতৰি কৈ
তোমাৰে বাতৰি কৈ
মোহন কলীয়া ঐ।
গছে পাতে ফুলে ৰঙে হালে জালে
কুলি কেতেকীয়ে উৰে ডালে ডালে
উষাতে সূৰুযে সু-কিৰণ ঢালে,
তোমাৰে বাতৰি কৈ
তোমাৰে বাতৰি কৈ
মোহন কলীয়া ঐ।
ভয়ে ভয়ে শুনে বাতৰিটি কলে
থৰে থৰে কঁপে আহি দেখা পালে
চৰা চৰে ধীৰে মৃদু গীতি গালে
তোমাৰে বাতৰি কৈ
তোমাৰে বাতৰি কৈ
মোহন কলীয়া ঐ।

(গীত শেষ কৰি যাব খোজোতে সন্তৰ প্ৰবেশ)

সন্ত—বোলো শুনিছানে? হেৰা মোৰ বাঘিনী হঁত! খোৱা খোৱা আৰু আজি ত'ত এইফালে নাহে। অ, মালাকিধাৰি থবলৈ ঠাই নাপালে এইটি ডিঙিতে নিসন্দেহে স্থাপন কৰি যাব পাৰা।

১ম গাভৰু—এওঁৰা কাক বাঘিনী দেখিলে?

সন্ত—বাঘিনী নহয় যদি গাগিনী।

২য় গাভৰু—এওঁৰ আৰু সদায় চুপতি।

সন্ত—বেয়া পাইছা যদি তোমালোক কলিজা, বাখৰ, দুগ্‌দুগী, ফেঁচী, বুন্দী, অ—শ্ৰীবিষ্ণু! নহয় ভাল, ভাল সকলো যেনে—পেমলতা, ভেমলতা, আকাশীলতা, ভেদাই লতা, ইত্যাদি ইত্যাদি, ইত্যাদি বোলো মোৰ চিকুণীহঁত! তত পালানে এতিয়া?

৩য় গাভৰু। বাৰু সন্তকাই সেইখন খোৱা। আমাৰ প্ৰভুৰ কথা দেখোন তুমি সকলো জানা। ত'ত সচাকৈয়ে নাহে নেকি?

সন্ত। কাৰ মূৰত ধৰি শপত খাব লাগে অ'। নাহে বুলিছো নাহে বচ্!

৩য় গাভৰু। সদায় আহে, আজিনো কিয় নাহে?

সন্ত। কি কেঁচাইখাঁতী অ' এইজনী। তাক সুধিব লাগিছে নে? লোকৰ এক দুই নহয়, একুৰি দুকুৰি নহয়, এশ দুশ নহয়, এহেজাৰ দুহেজাৰ নহয়। কিন্তু ৰূপে সৈতে ধৰা ষোল হেজাৰ আঠ গৰাকী কুৱঁৰী। তাৰ লগত বা ফাও কিমান আছে তাৰ ঠিকেই নাই। অতবোৰ এৰি তোমালোকৰ ফেঁচা বদন কিখনি—অ' শ্ৰীবিষ্ট! চন্দ্ৰবদন কিখনি চাবলৈ কিয় আহিব?

১ম গাভৰু। আমাক জানো চাবলৈ আহে বুলি কৈছোঁ? আমিহে পুৱাতে তেওঁক মালা দি পূজা কৰিবলৈ আহোঁ।

সন্ত। তহঁতৰ হবলা ঘৰত কাম বন নাই?

২য় গাভৰু। অ'ছে, কেলৈ নাই। পাৰোতে আহোনে। ? তোমাৰে শপত ককাইটি! কিহবাই যেন টানিহে আনে।

সন্ত। (মুখ বিদৰাই) অ' হ'লেই আৰু! তোমালোকক যদি সেইডালি এনা-জৰীয়ে মোৰ বুলিলে তেনে ভাল কেণাই লাগিল। তেন্তে তোমালোক এই জেওৰা খৰিৰ নিচিনা ৰস নাইকিয়া সন্তৰ প্ৰতি ধেনা।

৩য় গাভৰু। নহয় সন্ত! কাবৌকৈ মাতিছো। কোৱাচোন প্ৰভু কৃষ্ণ আন কালৰ দৰে ইয়ালৈ কিয় নাহিল!

সন্ত। বাৰু কাবৌ কৰিলি যেতিয়া কওঁ, শুন। ত'ৰ সেই খৰাহিয়ে খৰাহিয়ে আনি থোৱা তিৰুতা সকলৰ যোল হেজাৰ আঠফেৰা মুখ চায়েই বন্দী হৈ আছে। সেই কথা যদি নপতিয়াৱ তেন্তে তেওঁক দেখা কৰিবলৈ আলহী অহাৰ কথা আছে।

১ম গাভৰু। (মুখ আমোলাই) এইবোৰ মালা কাইলৈ লেৰেলিব, লাগে যদি লোৱা।

সন্ত। (হাতযোৰকৈ) আইহঁত! ধেমালিহে কৰিছিলোঁ। মোৰ দেৱতাৰ ফুল মই কি সাধ্যে লম। যা আইহঁত যাগৈ।

[গাভৰুহঁতৰ প্ৰস্থান

সন্ত। (নিজে নিজে) তহঁতক নো কি কম, সেই কলীয়াই মোৰ গাতো গোসাঁই নাইকিয়া কৰিছে তহঁতৰ সৈতেই সংসাৰখন পাতো বুলিছিলো; তহঁতকো কলীয়াই শুদাই এৰা নাই।

(কানত কোৰ লৈ মালীৰ প্ৰবেশ)

মালী। বোলো সন্তকাই! কিহৰ আলহীৰ কথা পাতিছিলা? সেই গাভৰু কিগৰাকীক তোমাক ঘৰৰ নিগাজি আলহী কৰিব খুজিছা নে কি?

সন্ত। খোজো তো আকৌ, পাৰিলেহে। সম্প্ৰতি সেই আলহীৰ কথা কোৱা নাই। কৌৰৱ আৰু পাণ্ডৱৰ মাজত খোৱাকামোৰা লাগিবৰ উপক্ৰম হৈছে। তালৈকে আমাৰ শ্ৰীকৃষ্ণ প্ৰভুৰ সহায় বিচাৰি আহিব, কৌৰৱৰ দোৰ্য্যোধন আৰু পাণ্ডৱৰ সেই অৰ্জ্জুন নে পাৰ্থ বোলাজন।

মালী। দুয়োজন আহিলে কাক সহায় কৰিব?

সন্ত। কাক সহায় কৰিব লোকে থিৰ কৰি থৈছে। আমি ভাবিবলৈ থোৱা নাই। তথাপি মোৰ বুধিৰ ভুৰুকাই ভাল বুধি এটা সাজি থৈছে। তেওঁৰ এখন খাটৰ শিতানৰ ফালে এখন সিংহাসন থৈ টোপনিৰ ভাও ধৰি শুই থাকিব। চকু মেলিয়েই যাকে দেখিব তাৰে সহায় হব। অৰ্থাৎ ভৰিপথানৰ জনৰ কপাল মুকলিব। বুজিলা নে কথাটো? মুঠতে দুৰ্য্যোধন সিংহাসনত নবহি ভৰিপথানত থিয় নিদিয়েহি।

মালী। বুধিটো হলে শলাগীব লগীয়া দেই।

সন্ত। নকবা, বুধিৰ ভুৰুকা। সেইদৰেই সংসাৰ চলিছে।

মালী। মই যাওঁ দেই, ফুলপুলি গোটা চেকেক ৰোওঁগৈ।

সন্ত। আমি নো কি অকলে ইয়াত ৰাজপাটখন খাম! আমিও যাওঁগৈ।

[প্ৰস্থান

২য় দৃশ্য

(অন্তঃপুৰৰ কোঠাত শ্ৰীকৃষ্ণ খাটত শুই আছে। মূৰৰ শিতানত পাতি থোৱা খাটত দুৰ্য্যোধন বহি আছে)

দুৰ্য্যোধন—(স্বগতঃ) নাৰায়ণে মানীৰ মান ভালকৈ বুজে। মই আহিম বুলি জানিয়েই নিজৰ শিতানত সিংহাসন থৈ দিছে। অতিথিৰ নিমিত্তে পাদ্য অৰ্ঘ্য আৰু কমণ্ডলু থোৱাৰো ত্ৰুটী কৰা নাই। ধন্য কৃষ্ণ, তুমি কম নহয়! মোলৈ যেতিয়া এইদৰে যতনাই থৈছে, নিশ্চয় সাৰথিও তেওঁ মোৰেই হব। ভাল টোপনি আহিছে। অতবেলি বহিলোঁ যেতিয়া নজগাওঁ আৰু। ৰাজ্যৰ চিন্তা, পৃথিবীৰ চিন্তা, যুদ্ধবিগ্ৰহৰ চিন্তা—অতবিলাক চিন্তা স্বত্বেও এই ফট্‌ফটীয়া দিনটোত ভাল শুইছে।

(অলপ সময় নিমাতে থকাৰ পিছত বাহিৰত দুৱৰীৰ মাত শুনি কাপোৰ-কানি চপাই সষ্টম হৈ বহে।)

নেপথ্যত দুৱৰী। আহক, আহক মধ্যম পাণ্ডৱ! সেই ফালে য'ক—সেই ফালে য'ক।

(দুৰ্য্যোধনৰ বিপৰীত ফালৰ পৰা, শ্ৰীকৃষ্ণৰ ভৰিৰ ফালে অৰ্জ্জুনৰ প্ৰবেশ। দুৱৰীয়ে লগে লগে আহি অৰ্জ্জুনক থৈ পাছফালৰ পৰাই প্ৰস্থান।)

অৰ্জ্জুন। নাৰায়ণ! তোমাৰ উদ্দেশ্যে দীন অৰ্জ্জুনৰ অলেখ প্ৰণাম গ্ৰহণ কৰা।

(প্ৰণাম কৰি ভৰিপথানৰ এখন সামান্য আসনত বহে)

দুৰ্য্যোধন। (স্বগতঃ) কি অধঃপতন! কুৰুবংশত জন্ম গ্ৰহণ কৰি নিজৰ আৰু বংশৰ মৰ্য্যাদা ভৰিৰে ঠেলি, দৈৱকীৰ পুত্ৰ, গৰখীয়া শ্ৰীকৃষ্ণৰ ভৰিপথানত বহিবলৈ অৰ্জ্জুনৰ লাজ লগা নাই নে? তাতে আকৌ প্ৰণাম, ছিঃ! এনে কুলাঙ্গাৰকো কুৰুবংশধৰ বুলি চিনাকি দিব লগীয়া হৈছে। বাস্তৱিকতে কুৰুপতিৰ দুৰ্ভাগ্য!

(শ্ৰীকৃষ্ণই গামুৰি দিয়ে আৰু ওপৰলৈ মূৰ কৰিয়েই শুই চকু মেলি অৰ্জ্জুনক দেখি উঠি কথা কৈ বহে।)

কৃষ্ণ। অ' সখি সব্যসাচী দেখোন! (চকু মোহাৰি) অহা বহুত বেলি হ'ল নে কি?

অৰ্জ্জুন। অলপ অৱশ্যে হৈছে। কিন্তু ইয়াত বহা বেছি সময় হোৱা নাই।

কৃষ্ণ। বহি যে আছা নজগালা কিয়?

অৰ্জ্জুন। সখি! নিদ্ৰাদেৱী তোমাৰ প্ৰতি ইমান সদয়া হোৱা দেখি জগাবৰ ইচ্ছা নহল। সেই কাৰণে অলপ বহিলোৱেই।

কৃষ্ণ। বাৰু; সকলোটিৰে ভাল নে? এঃ তোমাৰ চাগৈ বৰ আমনি লাগিল, জগোৱা হেতেনো হয়। হঠাৎ আজি এইফালে আহিবৰ নো কি মন গ'ল?

অৰ্জ্জুন। আমনি আৰু কি লাগিব সখি! জন্ম-জন্মান্তৰে যেন এনে আমনিকে পাওঁ। বৰ্ত্তমান ভগৱন্তৰ কৃপাত একপ্ৰকাৰ মঙ্গল। কিন্তু কৌৰৱৰ লগত যুদ্ধ অৱশ্যম্ভাৱী। কুৰুক্ষেত্ৰত যি যুদ্ধ হব সেই যুদ্ধত আপুনি সেনাপতি হৈ সহায় কৰিবলৈ ধৰ্ম্মৰাজে অনুৰোধ কৰিছে।

কৃষ্ণ। বুজিছোঁ সখি! মই যুদ্ধবিগ্ৰহ সমূলি ভাল নাপাওঁ। তাতে কৌৰৱ আৰু পাণ্ডৱ দুয়োঘৰ আপোন। কাক ধৰিম কাক এৰিম। উপাই নাই। (অলপ টলকা মাৰি ভাবে) বাৰু, ধৰ্ম্মৰাজৰ অনুৰোধ ৰক্ষা কৰিম। মই তোমাৰ সাৰথিহে হ'ম; কিন্তু অস্ত্ৰ হলে নধৰো। ই মোৰ প্ৰতিজ্ঞা।

অৰ্জ্জুন। সখি! মোৰ আজি জীৱন সাৰ্থক হল। তোমাৰ সাৰথিত্বত এই দীনহীন অৰ্জ্জুনৰ শৌৰ্য্য বীৰ্য্য দহগুণে বাঢ়িব।

কৃষ্ণ। (হাঁহি) বাৰু সেইবোৰ পাছ কথা। যুদ্ধ যাতে নোহোৱাকৈয়ে হয় তাৰ চেষ্টাহে প্ৰথমে কৰা যুগুত। আহা অৰ্জ্জুন! মাতৃৰ ওচৰলৈ তোমাক লৈ যাওঁ।

(উঠিয়েই দুৰ্য্যোধনক দেখি আচৰিত হোৱা যেন দেখুৱায়।)

ই কি কথা! এয়া দেখোন কুৰুপতি মহাৰাজ দুৰ্য্যোধন। আমাৰ আজি কি সৌভাগ্য! (আকৌ বহে)

দুৰ্য্যোধন। যদুপতি! আপোনাক দেখি মোৰ যি সৌভাগ্য মোক দেখি আপোনাৰ তেনে হব নোৱাৰে। হলেও সি সৌজন্যহে। (হাঁহে)

কৃষ্ণ। আজি একে সময়তে দুজন কুৰুবংশধৰক দ্বাৰকাপুৰীত দেখি মনত বাস্তৱিকতে বৰ আনন্দ লাগিছে। পিছে কুৰুপতিৰ শুভাগমনৰ উদ্দেশ্যই বা কি?

দুৰ্য্যোধন। উদ্দেশ্য সেই একেটাই যদুপতি! উলুকৰ আগত কৈ পঠোৱা মতে মই স্বয়ং আপোনাক সাৰথি বৰণ কৰিবলৈ অৰ্জ্জুনতকৈও আগেয়ে আহি বহি আছোঁ।

কৃষ্ণ। (ইতস্ততঃ কৰি মূৰ খুজৱাই) কিন্তু ইয়াৰ আগতেই যে মই অৰ্জ্জুনৰ নিমন্ত্ৰণ গ্ৰহণ কৰিলো মহাৰাজ!

দুৰ্য্যোধন। মইহে উলুকক পঠিয়াই আপোনাক প্ৰথমে সাৰথি বৰণ কৰিছোঁ। আপোনাৰ ইচ্ছামতে ময়েই প্ৰথমতে আহি ইয়াত বহি আছোঁ। আপুনি মোৰ সাৰথি হ'বই লাগিব। সামান্য যোদ্ধাৰ সাৰথি হোৱাতকৈ কুৰুপতিৰ সাৰথিত্ব বেছি সম্মানজনক। সাৰথি হোৱা গৌৰৱৰ হে কথা; কাৰণ, সাৰথিৰ গুণত হে ৰথীৰ বীৰত্ব প্ৰকাশ পায়। সকলোৱে কোৱা শুনিছোঁ, আপুনি হেনো ইন্দ্ৰৰ মাতলিতকৈও নিপুণ সাৰথি। আপুনি জানেই, মোৰ সাৰথি হলে আপোনাৰ একো সম্মান লাঘৱ নহয়। ত্ৰিপুৰাসুৰক মহাদেৱে বধ কৰিলে, স্বয়ং ব্ৰহ্মাক সাৰথি লৈ। বৃত্ৰাসুৰক বধ কৰোতে দেৱৰাজ দেৱগুৰু বৃহস্পতিক সাৰথি লৈছিল।

কৃষ্ণ। মহাৰাজ! দুৰ্ভাগ্য বা সৌভাগ্যবশতঃ যদিও সৰুৰে পৰা আপোনাৰ দৰে মানুহৰখীয়া হোৱাৰ সৌভাগ্যৰ পৰা বঞ্চিত হৈ সামান্য গৰখীয়া হলো তথাপি

সৰু-সুৰা কথা সকলো বুজোঁ। মোৰ মানত বৃন্দাবনত গৰু চৰোৱা আৰু দ্বাৰকাত ৰজা হোৱা একে কথা। মহাৰাজ! মান আৰু অপমান সকলো মনৰ বস্তু।

দুৰ্য্যোধন। তেন্তে মোৰ সাৰথি হোৱাত আপোনাৰ একো কথা নাই।

কৃষ্ণ। সাৰথি হোৱাত মুঠতে আপত্তি নাই। কিন্তু মই আগধৰি অৰ্জ্জুনক কথা দিলোঁ। সেই কাৰণে অৰ্জ্জুনৰহে সাৰথি হ'ব লাগিব। উলুকক আপুনি যেতিয়া পঠিয়াইছিল তেতিয়া মই ভালকৈ কৈ পঠিয়াইছিলোঁ। কৌৰৱ আৰু পাণ্ডৱ মোৰ দুয়ো ঘৰেই আপোন, কাক এৰি কাক ধৰিম। সেইদেখি আপুনি আৰু অৰ্জ্জুন যেয়ে প্ৰথমতে মোক সাৰথি বৰণ কৰিবহি মই তাৰে সাৰথি হম। কিন্তু মহাৰাজ! দুৰ্ভাগ্যই বোলক বা সৌভাগ্যই বোলক মই প্ৰথমে অৰ্জ্জুনক দেখি তেওঁৰ সাৰথিত্ব স্বীকাৰ কৰিলোঁ।

দুৰ্য্যোধন। যদুপতি! মোৰ দুৰ্ভাগ্যহে, সৌভাগ্য কেনেকৈ বুলিব?

কৃষ্ণ। নকব মহাৰাজ! সৌভাগ্যও হব পাৰে। দাদা বলভদ্ৰই তীৰ্থলৈ যাত্ৰা কৰাৰ আগত, এই যুদ্ধ হলে, যদুকুলক অস্ত্ৰ ধাৰণ কৰিবলৈ হাক দিছিল। সেই দেখি কুৰুক্ষেত্ৰ যুদ্ধত মই অস্ত্ৰ নধৰোঁ বুলি প্ৰতিজ্ঞা কৰিছোঁ। মোৰ পৰা পাণ্ডৱৰ বিশেষ উপকাৰ একো নহয়। তথাপি আমাৰ মানত যেতিয়া দুয়ো দলেই আপোন, আপোনাকো বিমুখ নকৰো। মোৰ সাত কোটি নাৰায়ণী সেনা আছে। সিহঁতৰ পৰাক্ৰম অদ্ভুত। তাৰ একোটাই মোৰ সমান হব। নাৰায়ণী সেনাকে আপুনি লৈ যাওক। অকল বহুৱাই থবলৈ মোক নিয়াতকৈ মহাপৰাক্ৰমী নাৰায়ণী সেনা নিয়াটো সৌভাগ্যৰ বিষয় নহয় জানো?

দুৰ্য্যোধন। (স্বগতঃ) হওঁতে হয়; অকলে কৃষ্ণক নি সাৰথি কৰি বহুৱাই থোৱাৰ পৰা কি লাভ হ'ব! আমাৰ জানো সাৰথিৰ অভাৱ হৈছে? মহা পৰাক্ৰমী সাতকোটি নাৰায়ণী সেনা পোৱা বাস্তৱিকতে সৌভাগ্যহে।

কৃষ্ণ। মহাৰাজ! নিমাতে থাকিল দেখোন। মোৰ প্ৰস্তাৱ বেয়া শুনিছে নেকি?

দুৰ্য্যোধন। নাই শুনা বেয়া যদুপতি! মই নাৰায়ণী সেনা পালেই সন্তোষ পাম।

কৃষ্ণ। অতি আনন্দৰ কথা। আপোনাৰ ফলীয়া হৈ কুৰুক্ষেত্ৰত সাতকোটী নাৰায়ণী সেনা উপস্থিত হ'ব।

দুৰ্য্যোধন। তেন্তে, নাৰায়ণ! বিদায় দিলে হস্তিনালৈ যাব পাৰো। নগৰৰ বাহিৰত সৈন্যবিলাকে ৰৈ ৰৈ আমনি পাইছে। অতিথিৰ আন সকলো প্ৰকাৰৰ অভ্যৰ্থনা আগধৰিয়েই হৈ গৈছে। মাত্ৰ আপোনাক দেখা পাবলৈহে বাকী আছিল। (উঠে)

কৃষ্ণ। ভাল মহাৰাজ! সৈন্যবিলাকক কষ্ট দি আপোনাক ৰাখি নথওঁ। কুৰুপতিক ঘৰতে দেখা পাই বৰ সন্তোষ পালোঁ।

দুৰ্য্যোধন। সি কেৱল আপোনাৰ উদাৰতা।

কৃষ্ণ। (হাতত ধৰি) বলক মহাৰাজ! আপোনাক আগ বঢ়াই থৈ আহোঁগৈ।

[হাতত ধৰাধৰিকৈ দুয়োৰে প্ৰস্থান।

অৰ্জ্জুন। (স্বগতঃ) অস্ত্ৰে-শস্ত্ৰে সুসজ্জিত প্ৰত্যেকেই নাৰায়ণৰ তুল্য বীৰ সাত কোটী নাৰায়ণী সৈন্য দিলে দুৰ্য্যোধনক। আৰু আমাৰ ফলীয়া হ'ল শুদাহাতে তেওঁ। যদুপতি! এই দীনহীন অৰ্জ্জুনক কি ছলনাৰে ছলিছা, অকল তুমিয়েইহে জানা। তোমাৰ মহিমা তুমিয়েইহে বুজা। যেনে ভাল তেনে কৰা; কিন্তু পাৰ্থৰ ভাৰসা একমাত্ৰ তুমি।

(কৃষ্ণৰ পুনঃ প্ৰবেশ)

কৃষ্ণ। সখি! চিন্তিত কিয় তুমি? ৰূপে-গুণে যি মোৰ নিচিনা হব তেৱেঁই নাৰায়ণী সেনা বধ কৰিব লাগিব। তোমাৰ বাহিৰে ৰূপে-গুণে মোৰ নিচিনা কোন হ'ব? সেই দেখি নাৰায়ণী সেনা তোমাৰ বিপক্ষে দিছোঁ।

অৰ্জ্জুন। সখি! ইয়াৰ কি কাৰণ?

কৃষ্ণ। তাহানি পিতৃশ্ৰাদ্ধৰ নিমিত্তে মগধ ৰাজ্যত বৰাহ চিকাৰ কৰিবলৈ যাওঁতে দুৰন্ত জৰাসন্ধই বাধা দি যুদ্ধ পাতিলে। প্ৰবল পৰাক্ৰমী জৰাসন্ধক অকলে

বলে নোৱাৰি মোৰ শৰীৰৰ পৰা এই নাৰায়ণী সেনা সৃজন কৰিলোঁ। তাহাঁতৰ সহায়ত যুদ্ধত জয়ী হৈ সিহঁতক বৰ লবলৈ কলোঁ। সিহঁতৰ ইচ্ছামতে ৰূপে-গুণে মোৰ নিচিনা এজনৰ হাতত সিহঁতৰ মৃত্যু হব বুলি কলোঁ।

অৰ্জ্জুন। সখি! তোমাৰ অপাৰ মহিমা। তোমাৰ মায়াৰ অন্ত নাই। বিশ্ব চৰাচৰৰ আদি-অন্ত তুমিয়েই। তুমি সহায় থাকোঁতে মোৰ আৰু কালৈকো ভয় নাই। তোমাৰ সহায়ত কৌৰৱ ধ্বংস হব, পৃথিবীত ধৰ্ম্ম-ৰাজ্যৰ প্ৰতিষ্ঠা হব।

কৃষ্ণ। (অৰ্জ্জুনৰ গাত মৰমেৰে চাপৰ মাৰি) বাৰু মই যিটো কৰি দিম পিছত দেখিবা।

অৰ্জ্জুন। দাদাই আপোনাক মোৰ লগতে লৈ যাবলৈ কৈছিল।

শ্ৰীকৃষ্ণ। ভাল কথা; আজি বহুত দিন দাদাক দেখা নাই। দুৱৰী!

দুৱৰী। (সোমাই আহি) প্ৰভু!

কৃষ্ণ। বিৰাটৰ নগৰলৈ যাবলৈ ৰথ সাজু কৰি থবলৈ ক। [দুৱৰীৰ প্ৰণাম কৰি প্ৰস্থান।

৩য় দৃশ্য

দ্বাৰকাৰ ৰাজবাট

(সন্ত আৰু এজন নগৰীয়া)

সন্ত। বুইছা ককাই! পেটটো তেনেই পাণ্ডৱৰ ফালে। নহলেনো দোৰ্য্যোধনক এইদৰে ঠগিবৰ কি আৱশ্যক? ক'ৰবাত নো একে ঠাইতে থকা দুটাৰ ভিতৰত এটাক নেদেখি আনটোক দেখে নে? তাতে আকৌ এজনৰে সৈতে ফেদেলি-পুৰাণ মেলি সাৰথি হবলৈও প্ৰতিজ্ঞা কৰিলে। পাছফালেই যেনিবা থাকিল, দোৰ্য্যোধনৰ নিশ্বাস এটাও নুশুনিলে নে? সেইটো যেনিবা দোৰ্য্যোধন নহয় এটা দোৰ্ঘোৰ বাঘ; তেতিয়া খালেহেতেন নহয়। দোৰ্য্যোধনো সেই বৰ ৰজাটো হৈ থম্-থম্কৈ বহি থাকিল! বাৰু গল-খেকাৰি এটা মাৰিও গম দিব নাপায় নে? ৰজা বুলি যেনিবা নাই ঢোল-ডগৰ, পেঁপা কালি; গলখেকাৰিটে তো নিশ্চয় আছিল।

নগৰীয়া। দোৰ্য্যোধনৰে বা কি বেয়া হ'ল! লোকে থম্-থম্ কৰে বহি থাকিও পালে সাতকোটী, টিকাত চাপৰ মাৰিব নোৱাৰা তেজী, নিঘুণী নাৰায়ণী সেনা। অৰ্জ্জুনে ভৰি পিটিকি পালে অকল কৃষ্ণক। তেৱোঁ সাৰথিহে হবগৈ—যুদ্ধও নকৰে। বুইছা সন্তকাই! তুমি এতিয়া ছাঁটো ফুৰাদি তেওঁৰ লগে লগে ফুৰা। কৈ দিবাগৈ বুলিও ভয় লাগে; তথাপি ফটা মুখ নকৈ নোৱাৰোঁ। তেওঁক সেই হাজাৰে হাজাৰে তিৰুতা বিলাকৰ মাজত সুমুৱাই দিলেহে নেগুৰ কটা বাঘ হৈ পৰে। যুদ্ধত কিবাটো কৰিব পৰা বৰ আশা নাই। পাৰোতেনো জৰাসন্ধৰ খেদাত সাগৰৰ বলুকাত বাহ লয়হিনে?

সন্ত। লোকক যে কৈছা নিজৰ গাতে পিটিকি চোৱাচোন। লোকে যেই হক ষোল হেজাৰৰ ওপৰতে নেগুৰ কটা বাঘ হব পাৰে। তুমি এজনীকে চম্ভালিব পৰা নাই।

নগৰীয়া। সেইটো বাতৰি নো তোমাক কোনে দিলে? তুমি তিৰুতাৰ ভয়তে দাং-বৰলা হৈ কৃষ্ণৰ ছাঁটো হৈ ফুৰিছা। সেই বুলি আটাইবিলাক তেনে হবনে?

সন্ত। তুমি বুজহে পোৱা নাই। তোমাৰ দুৱাৰমুখ-ৰখীয়াকো তেওঁৰ এনা-জৰীৰে কেণা লগাই পদূলিমুখ পোৱাইছেগৈ। সকলোকে সেই একে বেমাৰেই পাইছে। তোমাকো যে নাই পোৱা তাক কোনে জানে? বাৰু ককাই কোৱাচোন, কৃষ্ণ নাথাকিলে নগৰখন শুদা শুদা নালাগেনে? তেওঁক দেখিলে চাই থাকিম যেন নালাগেনে?

নগৰীয়া। সেইটো জানো মই নহয় বুলিছোঁ। কেতিয়াবা এনে মন যায় যেন তেওঁৰ পাছে পাছে ফুৰিয়েই থাকিম।

সন্ত। তেন্তে নিজৰ গাতে গোধ। মোক মিছাকৈয়ে কৈছা। তুমি যেনিবা তোমাৰ ইচ্ছাটো পেটৰ

ভিতরত হেঁচা মারি সুমাই থৈ তার বিপরীতে চলি বাহাদুরি কৰিছা; মই যেনিবা তাকে কৰি শান্তি দোৱা নাই।

নগৰীয়া। বাক সেইবোৰ এৰা। কৌৰৱ-পাণ্ডৱৰ তেনে যুদ্ধ হবই?

সন্ত। হব লাগে ভগৱন্তই কৰিলে।

নগৰীয়া। হলে ভাল পোৱা নেকি?

সন্ত। মৰক বাপেকে ক্ষেত্ৰিয় এসোপা। ইইতৰ উৎপাত বেছি হৈছে।

নগৰীয়া। অমঙ্গলৰ চিন হওঁতে ওলাইছেই। কাউৰীৰ ৰমলিয়নি, দিনত শিয়ালৰ হোৱা; তাতে আকৌ দুইকঁপ। এইবাৰ শেনৰ এজাত।

সন্ত। এৱা; সেইবোৰৰ কোৱত কাণত সোপা দিহে ফুৰিছোঁ। সিদিনা হঠাৎ মোৰ দাঢ়িকোছা ঘটঘটকৈ লৰিবলৈ ধৰিলত হে গম পাইছো দুইকঁপ আহিছে বুলি।

নগৰীয়া। কথাই কথাই চুপতি কৰা কেলৈ? আনবোৰ মৰিলে তুমি আকৌ ৰাজপাট থাবলৈ নোপোৱা। শিয়ালেহে কয়, বাঁহৰ আগলৈকে পানী হক। কাউৰীবোৰ ওপঙ্গি ফুৰিব। সৰু ধৰি ধৰি খাম। কিন্তু বগুৱাইতে নাভাবে যে বাঁহৰ আগলৈকে পানী হলে সিইতৰ কি গতি হব। তোমাৰ কথাখন দেখি শিয়ালৰ কথা যেনহে লাগিছে।

সন্ত। অ' তেন্তে মোক শিয়ালহে পাতিলা। ক'ত, মই তো হোৱা দিয়া নাই। কথাহে পাতিছোঁ। মোৰ ঠেঙ দুখনহে। এই দুখন হাত হে।

নগৰীয়া। এটা কথাৰ কথাহে কৈছোঁ। কেলেহ হবা শিয়াল দেও! আচল কথা নোকোৱা দেখিহে কৈছোঁ।

সন্ত। সোধা আকৌ, মই জানো আচল কথা নকওঁ বুলি কৈছোঁ?

নগৰীয়া। কোৱা বাক, আমাৰ শ্ৰীকৃষ্ণ কলৈ গৈছে। তুমিও গৈছিলা নহয়? তেখেত নৌ আহোঁতেই ওচি আহিলা কিয়?

সন্ত। তেওঁ যেতিয়া লোকৰ সাৰথি হ'ল, লোকে যেনেকৈ চলায় তেনেকৈ চলিব। অৰ্জুনে সাৰথিও কৰিলে, গিলিপদাৰ কৰি লৈও গ'ল লগতে।

নগৰীয়া। তুমি গৈ ওচি আহিলা কিয়?

সন্ত। নাহি কৰিম কি? যিহে বিৰাট বজাৰ দেশ। আমাৰ নিচিনা বিদেশী মানুহে তাত কেনেকৈ থাকিম? যাওঁতে যি জালহে পালো। ঘোঁৱাকিটাই বথখন লৈ যেনিবা উবাহে মাৰিলে দেও। একেবাৰে উশাহ নিশাহ নাপাই গলোঁগৈ। ৰৱৰ খুঁটা এটা থামোচা মাৰি ধৰি চকু মুদিহে পালোগৈ কোনোমতে সেইখিনি।

নগৰীয়া। তেন্তে ভয়তেহে আকৌ এইখিনি পালাহি?

সন্ত। ৰবাচোন, লোকক নিজৰ দৰে নেদেখিবা। কৃষ্ণ যোৱাৰ পিছতেই যুধিষ্ঠিৰে সৈতে বহুত কথা-বাৰ্ত্তা হ'ল। তেওঁৰ মনেৰে ভাইককাইৰ মাজত যুদ্ধখন পতাতকৈ টালিটোপোলা বান্ধি বনলৈ যোৱাই ভাল। ভায়েকহঁতে নামানে ওগণেহে পাচখন গাৱঁকে খুজিব খুজিছে। তাৰেকে কৃষ্ণক মধ্যস্থ কৰি হস্তিনালৈ পঠাইছে। মই নো আচহুৱা দেশত অকলে কি কৰিম? প্ৰভুৰে লগত নিনিলে দেখি ঘৰৰ ল'ৰা ঘৰলৈ ওচি আহিলো। যুদ্ধ হ'লে এখুদা মাৰি চাম বাপেকে।

নগৰীয়া। তেন্তে কৃষ্ণ গ'ল যেতিয়া কিবা এটা কৰিব। তুমি এখুদা মাৰিবলৈ নথয়।

সন্ত। হে হে মোৰ কুটুম! মই তোমাৰ মুখত ধৰি শপত খাই কব পাৰো, যুদ্ধ হ'বই; সিটোৱে যি গোঁজ পুতিলে পুতিলেই। দোর্য্যোধনে হেনো বিনাযুদ্ধে সূচ্যগ্ৰ ভূমিও নিদিয়ে। দিব বা কেলেহ মোৰ কুটুম! চণা জুইত পৰি মৰিবলৈ সাজু। আঁৱ দিলে কি হ'ব? তাতে আমাৰ গৰাকীৰ মধ্যস্থতা মুখত হে। ত'ত যুঁজ হলে ভাল পাব যেন হে লাগে। পিছে এইবোৰ ৰাজভৱনৰ কথা পাতি থাকিলে আমাৰ পেটে নামানে। ৰ'লা যাওঁহক।

নগৰীয়া। আমাৰ ঊৰৱ দেৱতাই বিদ্রোহ নকৰিলেই হয়।

[দুজোৰো প্ৰস্থান।

(গীত গাই গাই গাওক ইতৰ প্ৰবেশ)

পৰাণ আকুল আজি তোমাৰ বিনে
আজি বঙ্গোৱা, মন মজোৱা,
বজাই মুৰলী কুলু কুলু তানে।

হিয়াৰ মাজত ছবিটি আঁকি
পূজিছিলো যতনেৰে দিনে ৰাতি
গ'লা দূৰ কৈ প্ৰাণ কাঢ়ি লৈ
বিবহ আলা জ্বলাই প্ৰাণে।

আপোন মনে ঘুৰি ঘুৰি
ক'ত আছা মোৰ মুকলীধাৰী
আহা চাপি আহা চাপি
জুকুৱাহি মন প্ৰাণ
দৰশন দানে।

(সন্তৰ আকৌ প্ৰবেশ)

সন্ত। হেৰ থ থ থ। ঘৰলৈ যাহঁক। তহঁতৰ কৃষ্ণক আক নাপাৰ। এইবাৰ কাৰ শৰৰ আগত উৰে ঠিক নাই। গাওক গাওক ছোৱালী টুকৰিয়াই টুকৰিয়াই বেহ বাজন বাজন চাই ডেকা একোটা লৈ ঘৰ পাতগৈ। এইদৰে কেলেই ফুৰিছ?

১ম গাওক। কেলৈ, আমাৰ প্ৰভু কলৈ গ'ল?

সন্ত। যুঁজলৈ অ'—যুজলৈ। মৰামৰি কটাকটি কৰিবলৈ। আগৰ দৰে মহিষী সকলৰ ওফোন্দ ভাঙ্গিবলৈ নহয়।

২য় গাওক। যুজ নো কাৰে কাৰে?

সন্ত। কৌৰৱ আৰু পাণ্ডৱৰ যুদ্ধ। পাৰ্থৰ সাৰথি কৃষ্ণ! ময়ো যাওঁ তালৈকে। তহঁত ঘৰলৈ যাহঁক।

[সন্তৰ প্ৰস্থান

১ম গাওক। তেও আমাক হে কয়। সন্তই কৃষ্ণ নহলে থাকিব নোৱাৰে।

২য় গাওক। ঘৰত থাকি কি কৰিবি? আমাৰ কোন আছে? আমিও ভৈৰবীবেশে যুদ্ধক্ষেত্ৰলৈ যাওঁ। আলেঙে-আলেঙে প্ৰভুক সহায় কৰিম।

৩য় গাওক। বেছ কলি, ময়ো তাকে ভাবিছিলোঁ ইয়াত এইদৰে ধৰঙ্গবাই থকাতকৈ তাত বেছি সুখ।

১ম গাওক। ঘাৰকাত হেজাৰ হেজাৰ মানুহ আছে। তথাপি আজি যেন কোনো নাই। সকলোবে ঘৰবাৰী আছে। আমাৰ কেও নাই। মাউৰী ছোৱালী। গোটাই আনি হাঁহি-মাতি মালা দিয়াৰ বাৰ দি প্ৰভুৱে আমাক থুৱাই আছে। থাবলৈ পালেও প্ৰভুৰ বিনে এইখন-মবিশালি। যোৱাটোৱেই হে ভাল হ'ব, বলহক।

[প্ৰস্থান

৪র্থ দৃশ্য

(হস্তিনাপুৰৰ এক অংশত বিদুৰৰ ঘৰ। শ্ৰীকৃষ্ণ, সাত্যকি আৰু কুন্তী বহি আছে)

কৃষ্ণ। মোৰা কথা গ'ল। তাকে আকৌ মনত পেলাই কান্দি কাটি থাকিলে কি হব। পাণ্ডৱৰ আকৌ সুখৰ দিন আহিল। আৰু মাত্ৰ দিনচেবেকৰ পিছত আকৌ যুধিষ্ঠিৰ ৰজা হ'ব। আপোনাৰ পঞ্চপুত্ৰৰ গৌৰৱত বসুমতী গৌৰৱান্বিত হ'ব।

কুন্তী। তুমিয়েই সকলোবে গৰাকী। অতদিন যেনেকৈ ৰাখি ফুৰিছিলা ঠিক তেনেকৈ মোৰ লৰাকিটা ৰাখি ফুৰিবা।

কৃষ্ণ। বাক সেইবোৰ যি হয় হ'ব। পিছে আমি স্নান শেষ কৰি আহিছো। ভোক লাগিছে।

কুন্তী। দুৰ্য্যোধনৰ আলহী নাথাকি আহিছা মগনীয়াৰ ঘৰলৈ। বিদুৰ ভিক্ষাৰ পৰা ঘুৰি আহক। খুদ-কণ যি পায় বাটি দিম, খাবা।

সাত্যকি। কেলেই, বিদুৰে ভিক্ষা কৰিলেহে হয়!

কুন্তী। বিদুৰে কৌৰৱৰ বৃত্তি গ্ৰহণ নকৰে। ব্ৰহ্মচৰ্য্য ব্ৰত ধৰি ভিক্ষান্নতে প্ৰবৰ্ত্তে।

সাত্যকি। তেনে বিদুৰৰ ঘৰ দুখ!

কৃষ্ণ। ঘৰ দুখ নহয় সাত্যকি ঘৰ সুখ। কাৰো অনুগ্ৰহপ্ৰাৰ্থী নহয়।

(কানত ভিক্ষাব জোলোঙা লৈ বিদুবব প্রবেশ)

সাত্যকি। এয়া বিদুব আহিল। তুমি বহুত দিন জীবা।

কৃষ্ণ। আমি তোমাব জোলোঙাব সন্ধানলৈকে বহি আছো, বিদুব!

(বিদুব আনন্দত অধীব হৈ মাতিব নোৱাবা হৈ থপজপাই এচুকত জোলোঙা থৈ আঁঠু লৈ হাত যোব কবে)

কৃষ্ণ। বিদুব! আলহী দেখি ভয় খালা নেকি? নামাতাই দেখোন।

বিদুব। (থোকা-খুকিকৈ) দীনহীন বিদুবব আজি বব সৌভাগ্য। শ্রীহবিব চবণ স্পর্শত বিদুবব কুটিব পবিত্র হ'ল। কি দি সন্তুষ্ট কবিম প্রভু! নিজব গুণে নিজে সন্তুষ্ট নহলে দীন বিদুবব একো নাই প্রভু!

কৃষ্ণ। যি পাই আনিছা সেয়ে হ'ব বিদুব! তোমাব সঙ্কোচ কিহব?

বিদুব। প্রভু! আজি মোব বব দুর্ভাগ্য। ভিক্ষাব চাউল মাত্র একাঁজলি পাই আনিছো। প্রভু! অলপমান যদি অপেক্ষা কবে নগবত আক এটা পাক মাবি আহিব পাবো।

কৃষ্ণ। তুমি কোৱা কি বিদুব! যবত আলহী বহুবাই থৈ তুমি ভিক্ষালৈ যাবা; সি কেতিয়াও হ'ব নোৱাবে।

বিদুব। (স্বগতঃ) বিদুবব আজি বব দুর্ভাগ্য। ব্রহ্মাওব শ্রেষ্ঠ অতিথিক যবতে পায়ো বিদুবে সুখিব নোৱাবা হ'ল। হে নাৰায়ণ! এনেকৈ বিদুবক বঞ্চিত কবি কি সুখ পোৱা?

কৃষ্ণ। বিদুব! কি ভাবিছা? যি পাইছা তাকে বান্ধিবলৈ দিয়া। তাৰেই আমাব সকলোবে হ'ব।

(বিদুবে উপায় নাপাই কুন্তীক জোলোঙা দিয়ে। কুন্তীয়ে তাকে লৈ যায়। বিদুবে হাত যোব কবি ভক্তিত গদ্গদ হৈ স্তব কবে)

• • •

কৃষ্ণ। বিদুব! তোমাব ভক্তিত কোনো সন্তুষ্ট নহৈ নোৱাবে। এই ভক্তিব কাবণেই দুর্য্যোধনব আতিথ্য গ্রহণ নকবি তোমাব জগা পঁজালৈ আহিছোঁ। ভক্তিবে দিয়া পানী এচলু কপট ভাবেবে দিয়া সুমেক সমান সুবর্ণতকৈও শ্রেষ্ঠ।

বিদুব। সেইটো প্রভুব অনুগ্রহ মাথোন।

কৃষ্ণ। বাক্ বিদুব! হস্তিনাপৈ মই অহাব উদ্দেশ্য সিদ্ধি হবনে?

বিদুব। প্রভু! নিজে জানি শুনিও কিয় প্রবঞ্চনা দুর্য্যোধনে শান্তি নিবিচাবে। শান্তিদূত হৈ হাব দোষত কাইটৈ আপোনাকো সভাব মাজত বন্দী কবিব খুজিছে।

কৃষ্ণ। (ব্যাজভাবে) কি মোক কৌববে সভাব মাজত বিশ্বাসঘাতকতা কবি বন্দী কবিব খুজিছে! হাঃ! হাঃ! হাঃ! কৌবৱব বব আশা। বিদুব! সচাকৈয়ে কৌবব ইমান নীচ নে?

বিদুব। প্রভুবে নিজেই সকলো জানে।

কৃষ্ণ। (খঙেবে) কৌববে এতিয়াও জনা নাই, সুদর্শন চক্রব প্রতাপত এক নিমিষতে সকলো নষ্ট কবিব পাবো বুলি। কৌববে এতিয়াও জনা নাই দাদা বলভদ্রব নাঙলব আগত বা গকৰ্ণব ঠোঁটত গোটেই হস্তিনা চিল মাবিব পাবো বুলি। আহা সাত্যকি! ভাবত যুদ্ধব কাম এক নিমিষতে শেষ কবি দিওঁ।

বিদুব। (কাওবাও কবি) প্রভু!

কৃষ্ণ। (হাঁহি) বিদুব! ভয়ব একো কাবণ নাই। কুৰুক্ষেত্রত যুদ্ধ পাতিবই লাগিব। অকল কৌবব মবিলেই নহব। অনেক ক্ষত্রিয় তাত ধ্বংস হ'ব লাগিব। ক্ষত্রিয়ব যজ্ঞ আজিকালিতেই অৱসান হব। তুমি ভয় নকবিবা বিদুব! মোক বন্দী কবি বাখিব পবা কোনো নাই। ইচ্ছা কবিলে তুমিহে পাবা।

(আনন্দিত হৈ কুন্তীব প্রবেশ)

কুন্তী। বিদুব! তুমি মোক কিয় ভাবিছিলা? তোমাব জোলোঙাত আজি অত মানুহ খুবাব পাবা সম্বল ক'ত পালা? তোমাব যবত আগেয়ে এনেকে কোনো দিনে পোৱা নাছিলো। বিদুব! আজি দুদিন নহয় সুদিন হে।

বিদুব। (আচবিত হৈ কুন্তীব ফালে চাই) সচাকৈয়ে আচবিত কথা! কুন্তী! কিবা এটা ভুলহে হৈছে।

কৃষ্ণ। যি হৈছে হৈ থক—আমাব হলেই হল।

কুন্তী। আহা কৃষ্ণ, সাত্যকি! মই তোমালোকক বাতি নিবলৈহে আহিছিলো। [প্রস্থান।

কৃষ্ণ। ব'লা সাত্যকি! বলা। [দুয়োবে প্রস্থান

বিদুব। (স্বগতঃ) হে নাৰায়ণ। তোমাব কি মহিমা! তোমাব অন্ত কোনে পায়? যি ভিকহুব যবত আলহী থাকিবলৈ আহিছা, নিজেই সন্তুষ্ট হ'ব লাগিব। সঁচাকৈয়ে ই আচবিত কথা! নহলে মোব প্রভুব কিবা এফেবি অনুগ্রহ। সঁচাকৈ আজি কিন্তু মই একাঁজলিতকৈ বেছি চাউল পোৱা নাছিলো। সেই হ'ক কর্ত্তাই নিজে কবি লৈছে। (অলপ ইফাল সিফাল কবি হঠাৎ উত্তেজিত হৈ) বিদুব! আজি তোব বব ভাগ্য। তোব হৃদয়ব দেবতাক যবতে পাই তই ধন্য! দেবতাই দীন বিদুবব যবত সন্তোষব সম্বল গোটাই লৈ তৃপ্তি লাভ কবিছে। ই সপোন নে দিঠক? সেই হ'ক প্রভু! জননে জনমে যেন তোমাব শ্রীচবণত মতি থাকে।..... অ' মই কি কবিছো।..... মোব অতিথি..... । [প্রস্থান।

—ক্রমশঃ

কহিমাত দুমাহ

(২)

—বায় ছাহাব শ্রীযুত গোপিকা বল্লভ গোস্বামী

শ্রীযুত জীবেশ্বব ববদলৈ ডাঙবীয়াই যেনিবা যবটো সিপাৰ ই বাট-পদুলি আঁতৰাই তপ্তৈয়াবকে থৈছিল। কোনো পিনে অকণো আঁসোৱাহ নাছিল। ববদলৈ ডাঙবীয়াব যবত পানীচনি খোৱাব দিহা কবি থোৱাত তাতে আহি সকলোটিয়ে জলপান খাই থকা যবত চাউল সিজোৱাব দিহা কবা হল। এই যবটোব পুবফালে টিলাব ওপবত অসমীয়া বঙ্গালী ভদ্রলোক সকলব ক্লাবঘব, পশ্চিমে এঘব নেপালী সোণাৰি উত্তবে এটা ছৰ্কাৰী ঘব। তাত চব-ডেপুটী কলেক্টব সপৰিবাবে থাকে। এওঁ এজন শিলচবব মছলমান ভদ্রলোক। কিন্তু অসমীয়া কথা সুন্দবকৈ কব জানে। এওঁব অসমীয়া কথা শুনিলে, এওঁ অসমীয়া নহয় বুলি কোনেও কব নোৱাবে। আমি কহিমাত থকা দুমাহব ভিতবত এওঁ-বিলাকব পবা মাতে-কথাই সকলো পিনে যিমান উপকাব পালো তাক কৈ অন্ত কবিব নোৱাবো। মই হিন্দু মই মছলমান এই সাম্প্রদায়িক ভাব তেওঁব সমুলি নাই। এনে ভাবব হাই-থবিয়াল কবি মাথোন আমি বিদেশী বজাব সুবিধা কবি দিছো। আজি এশ বছবব পূর্ব্বে মহাত্মা বাম মোহন বায়ে যথার্থতে কৈছিল যে সমগ্র মানব জাতিয়েই এটি ডাঙব পবিবাল। যেলেগ বেলেগ জাতি আক সম্প্রদায় বিলাক এই বৃহৎ পবিবালব ঠাল ঠেঙুল মাথোন। সেই দেখি যাতে পবস্পবব ভিতবত মিলাপ্রীতি হয় আক এই মিলাপ্রীতিব কোনো অন্তবায় আক হকা-বাধা নেথাকে তাব নিমিত্তে জনা-যুজা

সকলো মানুহেই চেষ্টা কৰা উচিত। মহাত্মা ৰাম মোহন ৰায়ে ১৮৩১ চনত এজন ৰজাঘৰীয়া প্ৰধান মন্ত্ৰীলৈ এই দৰে লেখিছিল—"It is now generally admitted that not religion only but unbiassed common sense as well as accurate deductions os scientific research lead to the conclusion that all mankind are one great family of which the numerous nations and tribes existing are only various branches. Hence enlightened men in all countries must feel a wish to encourage and facilitate human intercourse in every manner by removing as far as possible all impediments to it, in order to promote the reciprocal advantage and enjoyment of the whole human race."—স্বাধীন ভাৰতৰ উন্নতিৰ যুগত দৰ্শন উপনিষদে "সৰ্ব্বং খল্বিদংব্ৰহ্ম" আৰু "ইশোবাস্য মিদং সৰ্ব্বং" এইবিলাক তত্ত্বেৰে মাথোন ইয়াকেহে প্ৰচাৰ কৰিছিল। ঈশ্বৰৰ ব্যাপকতা আৰু জীৱৰ ঘনিষ্ঠতাই (Immanence of God and Solidarity of man) প্ৰাচীন হিন্দু ধৰ্ম্মৰ মূল ভেঁটি আছিল। খৃষ্টান বিলাকৰ ধৰ্ম্মশাস্ত্ৰয়ো কৈছে "all men are born equal." কোৰানেও এনে মতকে প্ৰচাৰ কৰিছে। কিন্তু আজিকালি আমি কি দেখিবলৈ পাইছো? হিন্দু-মছলমান খৃষ্টান আদি সকলো জাতিয়ে মিছা অভিমানত মত্ত হৈ ঈশ্বৰৰ ব্যাপকতা আৰু জীৱৰ ঘনিষ্ঠতা সম্পৰ্ক পাহৰি দুখীয়া মানুহ বিলাকৰ পৰা আঁতৰি থাকে। আমাৰ গোসাঁইসকললৈ চাওক তেওঁবিলাকৰ অনেকেই অন্যৰ ঘৰত ভৰি দিবলৈকো নেযায়; যোৱাটো নীতিবিৰুদ্ধ। কিয় নেযায় জানে নে? কেনেবাকৈ সৰু মানুহ হ'ব লাগিব। এই সৰু মানুহৰ ভয়েই পৱিত্ৰ ধৰ্ম্মশাস্ত্ৰক ক'ৰবাত ওফোৰাই পঠালে। বৈষ্ণৱ শাস্ত্ৰই কয়—

অভিমানং সুৰাপানং গৌৰবং ৰৌৰবং ধ্ৰুবম্।
প্ৰতিষ্ঠা শূকৰী বিষ্ঠা ত্ৰয়ং ত্যক্তা হৰিং ভজেৎ॥

অৰ্থাৎ অভিমান সুৰাপানৰ তুল্য, গৌৰৱৰ ফল ৰৌৰৱ নৰক আৰু মান-মৰ্য্যাদা গাহৰিৰ বিষ্ঠা। এই তিনটা ত্যাগ কৰিলে হে হৰিভক্তিৰ অধিকাৰী হ'ব পাৰে। ধৰ্ম্মাচাৰ্য্য সকলে পৱিত্ৰ বৈষ্ণৱ ধৰ্ম্মৰ এই অতি পৱিত্ৰ আৰু উদাৰ কথা ফাঁকি আজি পালন কৰি ভগৱানৰ ব্যাপকতা আৰু জীৱৰ ঘনিষ্ঠতা তত্ত্বৰ মৰ্য্যাদা ৰক্ষা কৰিছেনে? যুগাৱতাৰ মহাপুৰুষ শঙ্কৰদেৱলৈ চাওক। তেখেতৰ কঠ, ধাৰী, গাৰু শৰাই, পট্টবস্ত্ৰ আৰু পাগুৰি আদি আছিলনে? সোণৰ হীৰা পতোৱা আঙঠিয়ে তেখেতৰ আঙ্গুলি বিলাক জিলিকাইছিল নে? সোণোৱালী বনকৰা কাপোৰে তেখেতৰ গা শোভা কৰিছিল নে? অভিমানে স্পৰ্শ কৰিব পৰা সকলো বস্তুৰ পৰা আৰু শ্ৰীমদ্ভাগৱদ্গীতাৰ ষোড়শ অধ্যায়ত উক্তি কৰা সকলো আসুৰী সম্পদৰ পৰা তেখেত আঁতৰ হৈ আছিল। গৌৰৱৰ আকাংক্ষা, মান মৰ্য্যাদালৈ হেঁপাহ আৰু অভিমান তেখেতৰ অকণো নাছিল। কিয় থাকিব? যিসকলে ভগৱানৰ ব্যাপকতা আৰু জীৱৰ ঘনিষ্ঠতা তত্ত্ব বুজিছে সেই সকলে পৰিণামত বিহগুটি লগা অভিমান আদিৰপৰা আঁতৰ নহৈ থাকিব নোৱাৰে। মহাপুৰুষে দাঙ্গৰ-সৰু সকলোৰে মাজত হৰি নাম মহামন্ত্ৰ প্ৰচাৰ কৰি ভগৱানৰ ব্যাপকতা আৰু জীৱৰ ঘনিষ্ঠতা কেনেকৈ দেখুৱাইছিল সেইকথা সকলোৱে ভাবি চোৱা উচিত।

খৃষ্টান বুলি উক্তি কৰা ইংৰাজ বিলাকলৈ চাওক। মিছা অভিমানত (Prestige) অভিমানী হৈ মহাপুৰুষ যিশুখৃষ্টৰ প্ৰচাৰিত জীৱৰ একতা এই পৱিত্ৰ তত্ত্ব এওঁ বিলাকে ক'ৰবালৈ ওফোৰাই পঠালে। এটা উদাহৰণ দিলেই পাঠক সকলে বুজিব পাৰিব। কেইজন ইংৰাজ বিষয়াই আমাৰ মানুহৰ ঘৰলৈ অহা-যোৱা কৰি "জীৱৰ একতাৰ" চিনাকী দিয়ে? প্ৰতি জিলাতে ডিপুটী কমিচনৰ চাহাবকে মুখ্য কৰি কেবাজনো ইংৰাজ বিষয়া থাকে। তেওঁলোকৰ কেইজনে, দুখীয়া মানুহৰ কথাকে নকওঁ, আমাৰ দাঙ্গৰ মানুহ বিলাকৰ ঘৰলৈ অহা-যোৱা কৰে? কিয় কৰিব, কৰিলে যে প্ৰেষ্টিজ্ যাব। ভিকহু টম্, হেৰি, ডিকৰ ঘৰলৈকো যাব। তথাপি বগা বঙ্গলা থকা—অৱশ্যে ইটাৰ বা কাঠৰ চাঙ্গৰ—ক'লা

চাহাব, ৰায় বাহাদুৰ বা খাঁ বাহাদুৰ এজনৰ ঘৰতো ধূলা দিবলৈ নেযায়। আমোলা-মহৰী বিলাকৰ তো 'চান্তে পৰে কা কথা'।

কিন্তু বৰ সৌভাগ্যৰ কথা যে এই মিছা ভেম ধ্বংস কৰি সকলো মানুহৰে ভিতৰত সমতা স্থাপন কৰি ভগৱানৰ ব্যাপকতা আৰু জীৱৰ ঘনিষ্ঠতা তত্ত্ব জগতত প্ৰচাৰ কৰিবৰ নিমিত্তে ভাৰত আকাশত মহাত্মা গান্ধীৰ উদয় হৈছে। ইতিপূৰ্ব্বে ভাৰতত অনেক মহাপুৰুষ হৈছে। কিন্তু এইজনা মহাপুৰুষৰ পোহৰে গোটেই জগতত পোহৰ দি নতুন এটা যুগ আনিব বুলি অনেকেই বিশ্বাস কৰিছে। আৰু বিশ্বাস কৰিবৰো যথেষ্ট কাৰণ আছে।

এটা কথা লেখোতে অইন এটা কথা ওলাই পৰিল সেইবাবে যেন পাঠকসকলে ক্ষমা কৰে। মই থকা ঘৰটোৰ তিনিফালৰ কথা কলো। এফাল আছে। সেইফাল দক্ষিণ। সেই ফালে শ্ৰীযুত বৰদলৈৰ ঘৰ। দুপৰীয়া ভাত পানী খাই কিছুকাল জিৰাই-সতাই গধূলি ৪ মান বজাত ফুৰিবলৈ ওলালো। নগা হিল জিলাৰ কহিমা সদৰ ঠাই। আচল কহিমা নগা বস্তি পৰ্ব্বতৰ ওখ টিংটোত। ইয়াৰ পৰা আধামাইলমান দূৰৈত হব। এই বস্তিত প্ৰায় ৮০০ ঘৰমান মানুহ হব। কহিমা টাউনখনি অকণমান ঠাই। ইয়াত চাবলৈ বিশেষ একো নাই। গেটৰ গুৰিতে সৰু এখনি ফুলনি আছে। দেখিবলৈ অতি বিতোপন। চাৰিওফালে নানাতৰহৰ বতৰীয়া ফুল লগাই থৈছে। ইংৰাজী ১৮৭৯ চনত খনমাৰ যুঁজত মৰা তিনিজন চাহাবৰ আৰু এজন চুবাদাৰ মেজৰৰ এই ফুলনিৰ মাজতে অতি ধুনীয়াকৈ পকী কৰি স্মৃতিচিন লেখি থৈছে। একাষেদি থিয়কৈ থোৱা এছটা বহল শিলৰ তলত আৰু এছটা শিল পুতি থৈছে। থিয়কৈ থোৱা শিলছটাত শ্ৰীশ্ৰীগোবিন্দজী আৰু মণিপুৰৰ ৰজাৰ কথা লেখা আছে। তলৰ ছটাত দুটা খোজৰ চিন আছে। ইংৰাজী ১৮৩৩ চনত মণিপুৰৰ ৰজাই কহিমা দখল কৰিছিল। তেতিয়া এই শিল মণিপুৰীয়া ৰজাই কটাইছিল। গাঁত খনাই থিয়ৈ থিয়ৈ এটা নগা লৰা পোতাই তাৰ ওপৰতে তলৰ ছটা শিল পাৰি দিছিল। শিল ছটাৰ ওপৰত থকা খোজ দুটা এই ৰজাজনৰ ভৰিৰ চিন। এই ফুলনি খনৰ পোনে পোনে আলিটোৰ ইকাষে সুন্দৰকৈ পকা ভেটিৰে বন্ধা মেকেৰ চাহাবৰ সোঁৱৰণীৰ চিন। এওঁ নগাহিল্ জিলাৰ ডিপুটী কমিচনাৰ আছিল। পাছে ১৮৯৭ চনৰ ১২ জুনত হোৱা বৰ ভূঁইকঁপত শ্বিলং চহৰত এওঁৰ মৃত্যু হয়।

কহিমা টাউনখন থকা পৰ্ব্বতটোক দুচলীয়া ঘৰ এটাৰে তুলনা কৰিব পাৰি। দুফালে দুখন চাল। এচালে চিপাহী বিলাকৰ থকা ঘৰ, ডাক্তৰখানা, মিলিটেৰী বিলাকৰ দোকানঘৰ (এইখনৰ স্থানীয় নাম কেণ্টিনৰ দোকান), মাইনৰ স্কুল; এই স্কুলৰ কেইজনমান মাষ্টৰৰ ঘৰ আৰু কেইঘৰমান নেপালীও আছে। ইটো চালে কেইঘৰমান ছৰ্কাৰী বিষয়াৰ আৰু কেঞা মহাজনৰ ঘৰ। তললৈ নেপালী আৰু নগাও আছে। দোকান মুঠতে কুৰিখনমান হব। তাৰে ভিতৰত ১২ ১৩ খনমান কেঞাৰ দোকান। ৬।৭খন দেছোৱালী আৰু মছলমানৰ দোকান আৰু এখন বঙ্গালী ভদ্ৰলোকৰ দোকান। অসমীয়া মানুহৰ দোকান এখনো নাই। এইটো বাস্তৱিকতে বৰ দুখৰ কথা। এই বিষয়ে পাছত এফেৰি লেখা হব। পৰ্ব্বতটোৰ মাজতে চাৰিওপিনে শিলৰ বেৰেৰে বেঢ়ি থকা সৰু গৰ এটা। এই গৰটোৰ দুফালে দুখন দুৱাৰ আছে। ইয়াৰ ভিতৰত কাছাৰি ঘৰ, টেজুৰি, ডাকঘৰ, টেলিগ্ৰাফ আপিছ আৰু মিলিটাৰী আস্পতাল। বৰ্ত্তমানে ইয়াত চিপাহী ৮০০ মান আছে। তেওঁবিলাকৰ চুবাদাৰ জমাদাৰৰ বাহিৰেও তিনিজন চাহাব আছে। এজন কমাণ্ডেণ্ট আৰু দুজন তেওঁৰ সহকাৰী চাহাব। গৰটোৰ মূৰতে চিপাহীবিলাকে পেৰেড্ কৰা ঠাই। গধূলি বজাৰ বহা কেঞা দোকান বিলাকৰ অলপ উজনিত এটা ঘৰ আছে। ইয়াকে পাণবজাৰৰ দোকান বোলে। পাণবজাৰৰ দোকান ঘৰৰ অলপ উজাই মণিপুৰীৰ দোকান ঘৰ এটা আছে। ইয়াত বেছিকৈ শুকান মাছহে বেচে। জীয়া মাগুৰ মাছ প্ৰায় সদায় পোৱা যায়। দাম মাছ চাই টকাত

৮টাৰ পৰা কুবিটাইলৈকে। ইয়াত হাঁহ, পাৰ, কুকুৰা আৰু কণীও কিনিবলৈ পোৱা যায়। পাৰবিলাক মণিপুৰীয়া, আমাৰ ৰোৱতকৈ শকত আৰু দাঙৰ। বেচ জোৰে বাৰ অনা। কুকুৰা আৰু হাঁহৰ কণীৰ একেই দাম—তিনটাত দুই অনা। জীয়া মাছৰ ভিতৰত মণিপুৰৰ মাগুৰ মাছৰ বাহিৰে অইন মাছ পোৱা নেযায়। এই দোকান ঘৰৰ পৰা কিছুদূৰ নামনিলৈ গ'লে এটা Leper asylum পায়। ওপৰলৈ উঠি গ'লে পাছফৈ চাঁহাৰৰ বঙ্গলা। ইয়াত মিচনাৰী বিলাকৰ এটা স্কুলো আছে। এই বাটটো একেবাৰে মোকক্‌চাং পৰ্য্যন্ত গৈছে। কহিমা টাউনৰ বাহিৰৰ পৰা বাট ঠেক। গাড়ী যাব নোৱাৰে। মোকক্‌চাং নগাহিল জিলাৰ এখন মহকুমা। পেৱেড কৰা ঠাইদোখৰ এবি অলপ আহিলে আহোঁতে সোঁহাতে এটা বাট পায়। সেই বাটটোৰেদি কহিমা নগা বস্তিলৈ উঠে। এই বাটটোৰ চুকতে জেইল। জেইলৰ পাছলৈ পুলিচৰ থানা। এজন চব ইন্সপেক্টৰ থাকে। গোধূলি বজাৰ আলি বাটটোৰ কেবাদোখৰ মুকলি ঠাইত বহে। বেছি ভাগেই মাইকী মানুহ, নগা আৰু নেপালী। কহিমা গেটৰ পৰা অলপ সোমাইয়েই সোঁহাতে আলিৰ তললৈ ডাক বঙ্গলা আৰু ইন্সপেক্শন বঙ্গলা। ঘৰ একেটাই। মাজতে ভাগ কৰা আছে। এই জিলাৰ আলহী আৰু ছৰ্কাৰী বিষয়া থকা এটাই বিলাক ঘৰেই এনে বন্দবস্তত সজা। ডাক বঙ্গলাত প্ৰায়ে আলহী থাকে। কেই দিন মানৰ পূৰ্ব্বে জাননী নিদিলে ঠাই পোৱা টান। কহিমা গেট সোমাওঁতে বাওঁহাতে তলত টেক্‌নিকেল স্কুল। তাৰ ওচৰতে কেইটামান পাৰৰ টঙ্গি দেখা যায়। টঙ্গিবিলাক টিনেৰে সজা। ইয়াত পশ্চিম ফালৰ পৰা প্ৰায় ১০০ মান পাৰ আনি ছৰ্কাৰী খৰচত বাখিছে আৰু চিঠি অনা-নিয়া কৰিবলৈ শিকাইছে। পাৰবোৰ আমাৰ পাৰৰ দৰে নহয়। শকত, চকুবোৰ দাঙৰ আৰু তিৰবিৰাই থাকে। শিকাওঁতে পোনতে এই পাৰবিলাকক ওপৰলৈ দুটা তিনটাকৈ উৰাই দিয়ে। সিইতে ঘুৰি ঘুৰি বহুত ওপৰলৈকে উৰি যায়। ঘুৰি ঘুৰি যাওঁতে গোটেই দোখৰ ঠাই চাই লয়। এইদৰে কিছুদিন অভ্যাস কৰি যেতিয়া গোটেই দোখৰ ঠাই চিনিৰ পৰা হয়, তেতিয়া সেই পাৰ চিঠি অনা-নিয়া কামৰ নিমিত্তে উপযোগী হয়। কোনো চাহাৰে দুৰণিবটীয়া পৰ্ব্বতৰ ভিতৰলৈ ঠাইত মফছল কৰিবলৈ গলে কেতিয়াবা কেই জোৰমান তাৰ পৰা লগতে পাৰ লৈ যায়। মফছলৰ কোনো ঠাইৰ পৰা কহিমালৈ বিশেষ জৰুৰী বাতৰি পঠাব লগা হ'লে এটা পাৰৰ ভৰিত চিঠি এখন বান্ধি তাক ওপৰলৈ উৰাই দিয়ে। সি ঘুৰি ঘুৰি বহুত ওপৰলৈ উঠি কহিমাখন এবাৰ ভালকৈ চাই লয়। এইখনেই কহিমা বুলি চিন পৰিব পাৰিলে আৰু ওলাটো অহা দি আহি তাৰ টঙ্গিত পৰে। তেতিয়া তাৰ ভৰিৰ পৰা চিঠিখন সোলোকাই লয়। যেতিয়ালৈকে কহিমাখন চিনিৰ নোৱাৰে, তেতিয়ালৈকে ওপৰত উৰিয়েই ফুৰে। তললৈ নানামে। কেতিয়াবা ভুল কৰি কহিমাখন চিনিৰ নোৱাৰি অইন ঠাইত পাৰ পৰিব পাৰে আৰু ঘুৰি ঘুৰি ওপৰলৈ উৰোতে শেনেও মাৰিব পাৰে। সেই বেলি একে বাতৰিকে বেলেগে বেলেগে দুখন তিনিখন চিঠিত লেখি দুটা তিনটা পাৰ উৰাই দিয়ে। এই বিষয়ে পাৰৰ অদ্ভুত শক্তিৰ কথা শুনিছো। ধুবুৰী বা গুৱাহাটীত উৰাই দিলেও হেনো এই পাৰ আহি কহিমাত তাৰ নিজ টঙ্গিত পৰিব। পাৰৰ ডাকৰ নিমিত্তে ব্যৱহাৰ কৰা নিয়মটো (বিশেষকৈ যুঁজৰ সময়ত) হেনো বহুকালৰ পৰা চলি আহিছে।

ইপিনে মণিপুৰলৈ যোৱা গেট পাৰ হৈ আধামাইল মান গ'লে বাওঁহাতে টিলা এটাৰ ওপৰত গৰকাপানিৰ আপিছ। ইয়াত এজন চবডিভিজনেল অফিচাৰ আৰু কেইজনমান ওভাৰছিয়াৰ থাকে। তেওঁবিলাক আটাই কেজনেই বঙ্গালী। মাথোন এতিয়া এজন অসমীয়া মানুহ ওভাৰছিয়াৰ হৈ গৈছে। দুয়োখন গেটৰ মাজত সোঁহাতে ওপৰৰ টিলাত ডিপুটী কমিচনাৰ চাহাৰৰ, তাৰ অলপ আগলৈ কমাণ্ডেণ্ট চাহাৰৰ, বাওঁহাতে তললৈ সহকাৰী কমাণ্ডেণ্টৰ বঙ্গলা। এই তিনটা বঙ্গলাত মাথোন বিজুলী চাকি জ্বলে।

আবাহন



বন্ধুৰা-দম্পতি

শিল্পী—শ্রীসতেন্দ্র নাথ

লক্ষ্মীবিলাস প্রেস, লিমিটেড।

এই বিলাক চাই আহি গধূলি ৭ মান বজাত ঘৰ সোমালো। পাছদিনা পহিলা আগষ্ট। সেইদিনা ৰাতি পুৱা ১০ মান বজাত গোলাঘাটৰ পৰা উঠি অহা ডেকা উকীল শ্ৰীমান নগেন্দ্ৰনাথ বৰুৱা আৰু শ্ৰীমান যোগেশ্বৰ দত্ত হঠাৎ ওলাল গৈ। বোপাইঁতক পাই যে মনত কিমান ৰং পালো তাক লেখি প্ৰকাশ কৰিব নোৱাৰো। ডিপুটী কমিচনাৰ চাহাবৰ আদালতত সেই দিনা এটা দেৱানী আপীল আছিল। সেই আপীল মোকদ্দমাত তেওঁবিলাক দুয়োজন আপীলেণ্টৰ পক্ষে উকিল। খাই-বই উঠাৰ পাছত তেওঁবিলাকৰ ফালে উকিল হবলৈ মোকো বিশেষ অনুৰোধ কৰিলে। সেই অনুৰোধ এৰাব নোৱাৰি ময়ো গ'লো। গৈ কাছাৰিত গুৱাহাটীৰ উকিল শ্ৰীযুত শিশিৰ কুমাৰ বৰুৱাক লগ পালো। তেওঁ আমাৰ বিপক্ষৰ ফালে উকিল হৈ আহিছে। পোনতে মই কেইটামান কাৰণ দেখুৱাই মোকদ্দমাটো ছানি বিচাৰলৈ পঠাবৰ নিমিত্তে ডিপুটী কমিচনাৰ চাহাবক অনুৰোধ কৰিলো। বৰুৱাদেৱো এই কথাত মান্তি হোৱাত চাহাবে ততালিকে ছানি বিচাৰৰ হুকুম দিলে। এই মোকৰ্দ্দমা হৈ যোৱাৰ পাছত ডিপুটী কমিচনাৰ চাহাবে মই কহিমাত কিছুদিন থাকিবলৈ যোৱা শুনি সন্তোষ প্ৰকাশ কৰিলে আৰু তেওঁৰ পৰা কিবা সহায় লাগিলে সহায় কৰিবলৈকো সাজু আছো বুলি কলে। এই কথা কোৱাৰ নিমিত্তে তেওঁৰ শলাগ লৈ ঘৰলৈ আহিলো। ডিপুটী কমিচনাৰজন আই, চি, এচ অফিচৰ। নাম জে, পি, মিল্‌চ্। এওঁ আওনগা বিলাকৰ এখন ভাল কিতাপ লেখিছে। এওঁৰ লগত এই দিনা আৰু কহিমাৰ পৰা আহিবৰ দিনা এই দুদিন হে মাথোন মোৰ দেখা হৈছিল। চাহাব-চুহাবক দেখা কৰা কামটো মই আগৰে পৰা বৰ বেয়া পাওঁ। ডাঙৰ মানুহ হবৰ হেঁপাহ কোনো দিন কৰা নাই। সংসাৰ অনিত্য, পানীৰ বুৰবুৰণিৰ নিচিনা। ভগৱান শ্ৰীকৃষ্ণই কৈছিল "জল বুদ্বুদবৎ সৰ্ব্বং ব্ৰহ্মাণ্ডং সচৰাচৰম্"। চাহাবজন হলে কথাই-বতৰাই বৰ ভাল মানুহ।

কাছাৰিৰ পৰা আহিয়েই ডেকা ল'ৰাহঁতে যাওঁ যাওঁ লগালে। কাৰণ ৩॥০ বজালৈকে ডিমাপুৰলৈ যোৱা লৰি পায়। তেতিয়া প্ৰায় দুই মানহে বাজিছিল। কিন্তু ক'ত এৰি দিওঁ। বুঢ়াৰ হাতত চেঙ্গেলী পৰিলে আৰু এৰে নে? সেই দিনালৈ দুইকো ৰাখিলো। তেওঁবিলাকক লগত লৈ গধূলি ফুৰিবলৈ গ'লো। নগেন বোপাৰ তাত প্ৰায় মানুহৰ লগতে চিনাকি। কাৰণ তেওঁ তাতে উপজি কহিমা মাইনৰ স্কুল ত পঢ়ি আহিছে। তেওঁৰ দেউতাক ৺ কেশৱ চন্দ্ৰ বৰুৱা ডাঙ্গৰীয়াই তাত ডিপুটী কমিচনাৰৰ অফিচত অনেক কাল চুপাৰিণ্টেণ্ডেণ্টৰ কাম কৰিছিল। পাছ দিনা তেওঁবিলাক দুয়োকো খুৱাই-ধুৱাই ২॥০ বজাৰ লৰিত বিদায় দিলো। তেওঁবিলাকৰ লগ এৰিব লগা হোৱাত মনত বৰ বেজাৰ পালো।

বোপাইঁত যোৱাৰ দুদিনমানৰ পাছৰে পৰা ধাৰাসাৰে দিনে-ৰাতিয়ে বৰষুণ দিবলৈ ধৰিলে। বৰষুণৰ প্ৰতাপত কেনিও ক'লৈকো যাব নোৱৰা হল। এনেতে এদিন হঠাৎ ডিমাপুৰৰ পৰা অহা লৰি বন্ধ। অনুসন্ধান কৰি খবৰ পালো কহিমাৰ পৰা ৪ আৰু ৫ মাইলৰ ভিতৰত যচেমা নগা গাৱঁৰ তলত এদোখৰ ঠাইত ওপৰৰ পৰা শিল বোকা খহি আৰু হো হোকৰে পানী পৰি বাটটো পুতি পেলালে আৰু সেইখিনিত থকা পকী দলং এখন খহাই নি কোনোবা লঙ্কাপুৰত পৰ্ব্বতৰ কোৰোং এটাত পেলালে গৈ। শই শই নগা কুলী লগত লৈ গৰকাপ্তানিৰ অফিচৰ সকল কামত লাগি গ'ল। ইপিনে বাট দি খহি যায়, সিপিনে বাট দি খহি যায়। তলে ওপৰে কেনিও বাট নোৱোৱা হ'ল। ওপৰৰ পৰা পানী আহি খহাই নিয়ে। মই এদিন চাবলৈ গৈছিলো। ঠাই ডোখৰ জয়াল যেন দেখিলো। সকাম নিকাম এফেৰিলৈ আগ কৰা হেতেন ওভাৰ-ছিয়াৰ বপুৰাইঁতৰ ইমান দুখ নহ'ল হেঁতেন আৰু একোকে উৱাদিহ নেপাই টিক্‌লৌ-টিক্‌লৌকৈ লৰি ফুৰিব নেলাগিল হেঁতেন। পাছে, মোৰ এনে হিত বুধি কোনে লব! ঘোৰ কলি নহয় জানো?

বাটটো কেনিও বাধিব নোৱাৰি চুদিন এদিনব পাছব পবা Transhipment-অব দিহা কবিলে। এই ছিগা দোখবলৈকে দুই ফালব পবা লবি আহে। ইয়াত লবি সলাব লাগে। আজি দহ দিন মানব আগলৈকে এই বন্দবত চলি আছিল। এতিয়া কোনো প্রকাবে মাজেদি বাট এটা কবি দিছে। সেই বাটব ওপবেদি লাহে লাহে কথমপি লবি পাব হ'ব পাবিছে। কিন্তু বেছিকৈ ববষুণ আনিলে কোন দিনা কি হয় ঠিক নাই। এই ছিগাদোখবত সম্প্রতি এজন ওভাব-ছিয়াব বাধিছে। এওঁ অসমীয়া। গোলাঘাটব মিছাম্বা মৌজাব ৺কাঠবাপু সত্রব অধিকাবব পুতেক। এওঁব নাম শ্রীমান যোগেশব গোসাঁই। অতি সৎস্বভাবব ডেকা ল'বা। ইয়াত কোনো চিনা জনা মানুহ নথকাত পোনতে আহি তেওঁ কিছু অসুবিধা পাইছিল। সেই দেখি মোব লগতে এওঁব ঘোবাব দিহা কবিলো। ল'বাটি অতি বিশ্বাসী আৰু কর্ত্তব্যপবায়ণ দেখিলো। সোনকালে কামত উন্নতি হ'ব বুলি কামনা কবিলো। এই ছিগাদোখবব অবস্থাব কথা বর্ণনা কবি বুজাব পবা শক্তি মোব নাই, নিজে দেখিলে হে বুজিব পাবি। Transhipment যেতিয়া হৈছিল, সেই সময়ত মানুহব নথৈ বিলে হৈছিল। জোতা-মোজা সোলোকাই হাতত লৈ আঠুমুনী পানীব ওপবেদি যাব লগাত পবিছিল। কোনো কোনো লোকে নগাব বোকোছাত উঠিও বোকাপানী পাব হৈছিল। পাছে, ওপ দাঙব শকত আবত মানুহ দেখিলে নগাহো বোকোছাত নলৈছিল। ওচবলৈ আহিয়েই মুস্তিটো তলব পবা মুবলৈ ভালকৈ চাই লয়। শকত আবত দেখিলে উলটি লব মাবে। এনে দৃশ্য সেই ছিগাদোখবত প্রায়ে দেখা গৈছিল। বাটব এনে গতি হোবাত ডিমাপুবব ফালব পবা অহা সকলো বস্তু বাহানিব কহিমাত দাম বাঢ়িল। ছিগা-দোখব পাব কবাওঁতে নগাই এখৈলাত দু-অনাকৈ লৈছিল। কেইদিনমান ওপবে বাট উলিয়াই দিছিল। তেতিয়া মানুহব কষ্টব সীমা নাছিল। পর্ব্বতব টিঙেদি দিয়া ঠেক আক পিছল বাটব ওপবে নগাব কান্ধত ধবি ধবি পাব হব লগাত পবিছিল। ডিমাপুবব পবা কহিমা এই বাট দোখবব ভিতবত অনেক ঠাইত বাট বহি গৈছে আৰু ঠায়ে ঠায়ে বহিছেও। কোনো কোনো ঠাই এনেকুৱাও আছে যে এবাব থাইলে আৰু কি উপায় হ'ব তাক ভাবি কল্পনাতো ঠিক কবিব নোৱাবি। কিন্তু এইটো বব সৌভাগ্যব কথা যে কুলীব কোনো অভাব নাই। যেতিয়াই বিমান লাগে নগা কুলী পায়। এই ছিগাদোখবব নিমিত্তে চকাবে অজস্র পইছা খবচ কবিছে। আৰু যি যত্ন লৈছে, তেনে যত্ন আন সমথল ঠাইত কেতিয়াও লোকেল বোর্ড বা মিউনিছিপেল বোর্ডব পবা আশা কবিব নোৱাবোঁ। এওঁলোকব গাত নো কি দোষ! ধনেই হে কথা, ধনেই গধুব ফল। টোক-টোক টাক টাককৈ আৰু হাত পাতি তাক হাত পাতি কথমপি চলি আছে।

এতিয়া আকৌ আমাব কথালৈ আহোঁ। কহিমা ঠাই দুখবি মই হ'লে ভাল পালোঁ। ইয়াত জহকালিও জাব। বাতি লেপ লাগে। বাতিপুৱা প্রায়ে ব'ৰ। দুপবীয়া হ'লেই গোটেইখন ধুবলি-কুবলী হয় আৰু ববষুণ আনে। ইয়াত ভাবব চলাচল কবা চাবলৈ বব ভাল। ববষুণব একো ঠিক নাই। এফালেব'দ দি থাকোতেই আইন ফালে হব হব কবে ববষুণ আনে। গবম প্রায়ে ৮০ ডিগ্রি ফাৰ্ণহিটব (Fahrenheit) ওপব নহয়। মই ১৯২৬ চনত খিলং চহবত দুমাহ আছিলো। মোব মনেবে হ'লে খিলং আৰু কহিমা দুই ঠাইবে হাবাপানী একেই। মাথোন অলপ উনৈশ বিশ হব পাবে। দুই ঠাইতে কলব পানী। খিলং চহব ডাঙব, তাত কুবিবলৈ আৰু চাবলৈ বহুত ঠাই আছে। কহিমা নহয়, ইয়াত তেনে বিশেষ একো নাই। প্রাকৃতিক দৃশ্য উভয়বে একে—অতি মনোবম। খিলঙব মাটিত শিল ভাগ বেছি, ইয়াব মাটিত হ'লে কম। খিলঙত ধুমধাম বেছি। ইয়াত সেইবোব একোৰেই নাই। তাত বহুত খবচ লাগে, ইয়াত অলপ খবচেবেই চলিব পাবি। ইয়াত ভাল ঘিউ, ভাল গাখীব আৰু শাক-পাচলি বহুত পোৱা যায় আৰু সস্তাও। খবাহি দিনত প্রায় নিতৌ গৰহ মঙহ কিনিবলৈ পোৱা যায়। ভাল গৰুব ঘিউব দাম সেবে ১৷৵০, মহব ঘিউব ১৷৹, নগা আলু নগাব পবা ললে সেবে দুপইছা তিনি পইছা, গাখীব সেবে ৵০ অনা। শাক-পাচলি খিলঙতকৈ চাবি পাঁচ গুণে সস্তা। পহব মঙহ সেবে ৷৹ অনা। খিলঙত বিজুলী চাকি, ইয়াত কেবাচিনব চাকি। এতিয়া কহিমা টাউনত ২২ টা আছে। পূর্ব্বে হেনো মাথোন সাতোটা গেচব চাকি আছিল।

নগা চাকবব অভাব নাই। অলপ পইছাতে পায়। মই এটা ল'বা বাখিছিলো। তাক মাহে ঘোবাকীব নিমিত্তে ২৷৵০ আৰু দবমহা ৩৲ টকাকৈ দিছিলো। চাউল বা কবলৈ পাবিলো। ভাল মণিপুবীয়া চাউল টকাত বাব সেব চপোৱা; মাহ, কানি-কাপোব আদিব দাম আমাব ইয়াতকৈ অলপ বেছি হব। কেঞা মহাজন আদি দোকানী বিলাক নিবীহ আৰু সবল প্রকৃতিব যেন দেখা যায়। ভাল বস্তু বুলি কেতিয়াও বেয়া বস্তু দিব নোখোজে। এদিন মোব নগা চাকবটোবে গাখীব ছাতি এটা খেতবাজ ভূষমল নামেবে এখন দোকানত এবি থৈ আহিল। পাছদিনা সি কিবা বস্তু আনিবলৈ গলত কেঞা বাবুব তত্তালিকে ছাতিটো তাক উলিয়াই দিলে। আমাব ভৈয়ামত এনে উদাহবণ বিবল।

খিলঙলে বহুত পইছা ভাঙিব মোবাবে আৰু দাঙব চহবব ধুমধামব পবা আঁতবি নীবব ঠাইত থাকিব খোজে, সেইসকলে খিলঙলৈ নগৈ হাবাপানী বদলি কবিবলৈ কহিমালৈ যোৱা শুণ্ডত। এই ভাবেবে তালৈ লবালুবিবে সৈতে যোৱা মযে প্রথমবুলি কহিমাবকেবাজন মানুহেও কৈছিল। কিন্তু আগেয়ে যব এটাব দিহা নকব কৈ যেন কোনো নাযায়। কাবণ তাত কোনো হোটেল বা ভদ্রলোক থাকিব পবা ঠাই নাই। ডাক-বঙ্গলাও প্রায়ে খালি হৈ নেথাকে। কোনোবে যদি ডাকবঙ্গলাত থাকিব খোজে তেন্তে আগেয়ে চিঠি লেখি থবব লব লাগে। অসমীয়া মানুহ—অৱশ্যে চকাবী কাম ববা—কেইথমান আছে। তেওঁলিলাকবো যবব নাটনি। তথাপি ববদলৈ ডাঙবীয়াব হবত চুকি-এটি অসমীয়া মানুহ প্রায়েই আলহী আছেই।

স্বদেশী

গল্প—

—শ্রীযুত যোগকান্তব কত্তা, বি-এ

'জয় মহাত্মা গান্ধীব জয়' "জয় হিন্দু মুছলমানব জয়" "গোলামথানা বদাওতলৈ যাওক।" শিহসাগব গবর্ণমেণ্ট হাইস্কুলব ৮ মমান শ্রেণীত জ্যামিতি পঢ়াই থাকোতে চক থাই উঠিলোঁ। ববাবোবেও মই বোৰ্ডত বুহুবা হিজুভলৈ একেথবে নেচাই, আলিবাটে যোৱা মানুহ দলকহে জুপিবলৈ ধবিলে। স্কুলব ডিছিপ্লিন বাখিবলৈ গৈ লাজ পোবাতকৈ মহো সেই ফালেই চকু দিলোঁ।

বি-এ ক্লাছব পবা কলেজ এবি কংগ্রেছ প্রচাব কার্য্যত লাগি থকা আনন্দবাম গগৈক এভাব ফুলব মালা দিছোঁ, অসংখ্য গান্ধীটুপী পিন্ধা মানুহে চিএব বাখব কবি শিহসাগব কাছাবীঘবব ফালে যাব ধবিছে। লগতে ছটামান চিপাহীও। গোটেই কথাটো বুজিবলৈ আৰু বাকী নেথাকিল। যদিও কোনো দিন চুবি-ডকাইটি কবা নাই তথাপি মনটোবে যেন কবলৈ ধবিলে "তই ঘোব অপ্তায় কবিছ"। মই তো দেখব ভবিষ্যত আশা-

ভৰসাৰ স্থল এই লৰাবোৰক জগতৰ নতুন পোহৰ হে দিবলৈ চেষ্টা কৰিছো। অন্যায়টো কিহৰ? তথাপি যেন মনে নেমানে!

মোৰ ঘৰ গাৱঁত। দেউতাৰ খেতিয়ে-বাতিয়ে জয়-জয় ময়-ময় অৱস্থা। তেওঁৰ টকা ধাৰ দিয়া কাৰবাৰো আছে। যদিও মোৰ নিচিনা এজন আধুনিক শিক্ষিতে তেওঁক ধনী বুলিব নোৱাৰোঁ, ধনাই, মনাই, টেপুৰামে হলে মোৰ দেউতাতকৈ যে জগতত ধনী মানুহ হব পাৰে তাৰ খবৰ নেপায়। দেউতায়ো যেন তেওঁবিলাকৰ ভাবটি দলিয়াই পেলাইছে এনে মনে নধৰে। গতিকে যদিও মই বি এ পাছ কৰি পঞ্চাশ টকাতে মাষ্টৰী কামটো লৈছিলোঁ, দেউতাই মোৰ পৰা কোনো আৰ্থিক আশা কৰা নাছিল। বৰঞ্চ মাজে-সময়ে মইহে এতিয়াও তেওঁৰ পৰা টকাচেৰেক সৰকাওঁ।

যদিওবা ছব-ডেপুটি, মুন্সিফ হৈ ছাহাব হোৱাৰ আশা বিসৰ্জ্জন দিব লগা হৈছিল, তথাপি মাষ্টৰ হৈয়েই ছাহাব সাজিবলৈ মনস্থ কৰি হোৱাইটৱেৰ পৰা কোট, পেণ্ট, হেট, টাই অনাই ছাহাব হলো। আৰু এইদৰে ছাহাব হৈ সদায় স্কুল কৰিবলৈ ধৰিলো। নিখুঁত ছাহাব হোৱাই আছিল মোৰ আদৰ্শ। কিন্তু কি দুৰ্ভাগ্য, শিৱসাগৰত নিখুত ছাহাব হবলৈ ইন্সপিৰেশ্যন পাওঁ ক'ৰ পৰা? মহকুমাৰ অধিপতিজনো নেথাকে সদায় ছাহাব। ইয়াত ছাহাবৰ ক্লাবঘৰো নাই। ডিব্ৰুগড় হোৱা হলেও এক কথা আছিল। ইবোৰ মাষ্টৰৰ পৰাও বিপদ। তেওঁবিলাক একেবাৰে তাহানিৰ "গুৰু মশায়"। কিন্তু মোৰ অন্তৰত ছাহাবীয়ানা ইমান দকৈ সোমাই গৈছিল যে, সকলো প্ৰতিকূল অৱস্থাৰ মাজতো সি ফুটি উঠিছিল। আৰু তাতেই মোৰ অন্তৰাত্মাই শান্তি পাইছিল।

কিন্তু কি আপদীয়া ৰাও কাঢ়িছে "মহাত্মা গান্ধীৰ জয়"। ভাবিলো এইবোৰ মানুহৰ সাময়িক উত্তেজনা। আমাৰ নিচিনা ইংৰাজী শিক্ষিত সকলক নিশ্চয় চেল্‌ফ্‌-গৱৰ্ণমেণ্ট লাগে। সেই বুলি গান্ধীৰ দৰে ফকীৰ সাজি চং দিবৰ কি প্ৰয়োজন? "No representation no. taxation—আমাৰ প্ৰতি-নিধি সম্মত নহলে খাজনা নিদিওঁ" বোলা মূলমন্ত্ৰ আমাৰ নিচিনা শিক্ষিতৰ অৱশ্যে মজ্জাগত। কিন্তু ইংৰাজতে শিকি ইংৰাজকে শুনাবলৈ হলে আমাৰ অন্ততঃ শতকৰা নবৈজনে মোৰ দৰে বি-এ পাছ কৰিব লাগিব; ইংৰাজৰ দৰে চকীত বহি কাটাৰে আধাকেঁচা মঙহ খাব লাগিব। নহলে আমাক চেল্‌ফ-গৱৰ্ণমেণ্ট লাগে বুলি ইংৰাজক কোনটো লাজেৰে কওঁ? সেই দেখি মই ইংৰাজৰ সকলো নকল কৰিবলৈ গৈয়ো ইংৰাজৰ ৰাজ-নীতি নকল কৰিবলৈ যোৱা নাছিলো। কাৰণ তাৰ মূল নীতি আছিল, 'মেজৰিটী ৰুল' (সৰহীয়া দলৰ শাসন)। সৰহীয়া দলৰ মতেই জাতিৰ মত আৰু ইয়েই ৰাজ-শক্তিৰ লগত অভিন্ন। আমাৰ কিন্তু সেইখিনি পাবলৈ বহুত দূৰ। তথাপি যেন মনত খুকুৰি থাকি যায়।

এদিন অসহযোগৰ বক্তৃতা শুনো বুলি এখন গান্ধী সভাত মনে মনে বহিলোঁ গৈ। বক্তাই অনেক কথা কৈছিল যদিও তলৰ খিনি কথাই মোক আঘাত কৰিলেহি। বক্তাই কৈছিল, "ৰাইজ সকল, এই স্বাধীনতাৰ আন্দোলন অনেক ফালৰ পৰা চাব পাৰিলেও, সম্প্ৰতি আপোনালোকক অৰ্থনৈতিক ফালৰপৰা চাবলৈ খাটিলোঁ। ভাৰত এদিন সপোনৰাজ্য আছিল। বিদেশীয়ে এদিন ভাৰতক সোণ, হীৰা, মুকুতাৰ ভৰাল বুলি ভাবিছিল। নিজৰ ভাগ্য পৰীক্ষা কৰিবলৈ অহা বিদেশীৰ বাই-ভনীয়ে ভাৰতৰ পৰা হীৰা মুকুতা ডোখৰ-চেৰেক লৈ যাবলৈ খাটিছিল। ভাৰতৰ পৰা উলটি যোৱা ইংৰাজক সিদিনাও নৱাব বুলিছিল। আৰু আচলতে ভাৰত স্বৰ্ণপুৰীয়েই আছিল। আৰু ইয়াত ৰঘুমলাৰ দৰে শিপাই যোৱা বিদেশীয়ে বাস্তৱতে নৱাবেই হৈছিল। অতি দুখৰ বিষয় আজিও ভাৰতে ইয়ালৈ অহা বিদেশী-বোৰক যে নৱাবেই তৈয়াৰী কৰিছে এনে নহয়, বিদেশত বহি কল টিপিব জনাবোৰকো নৱাবেই কৰি এৰা নাই; নৱাবৰ হুকুমদাতা সৃজন কৰিব লাগিছে। বিদেশীক নৱাব বা নৱাবৰ হুকুমদাতা সৃজন কৰ তো আমাৰ দুখতকৈ বৰঞ্চ আনন্দই হল হেঁতেন, যদিহে ঠিক যি অনুপাতে

ভাৰতে বিদেশীক নৱাব তৈয়াৰী কৰিব লাগিছে, ঠিক সেই অনুপাতে ভাৰতে ভাৰতবাসীক গোলাম সৃজন নকৰিলে হেঁতেন। বিদেশী কোটিপতিলৈ আমাৰ অকণো হিংসা নহল হেঁতেন যদি সেই অনুপাতে স্বৰ্ণপুৰী ভাৰত নিকেলপুৰী নহল হেতেন, ভাৰতবাসীয়ে যদি এমুঠি ভাতৰ কাৰণে হাহাকাৰ নকৰিলে হেঁতেন, যদি ভাৰতবাসীয়ে আজি ভাতৰ সলনি মাজে মাজে কচু, ঢেকীয়া, কলগছ, শেলুক খাই প্ৰাণ বঁচাব নেলাগিল হেঁতেন, যদি ভাৰতে আজি বিয়াই-সৱাহে, বিহুৱে সংক্ৰান্তিয়ে এডোখৰ নতুন কাপোৰ লব পাৰিলে হেঁতেন, যদি ভাৰতে পুহমহীয়া জাৰত এখন কা পাৰ, জেঠৰ মাহত এখন আঠুৱা লব পাৰিলে হেঁতেন, যদি ভাৰতবাসীয়ে বৰষুণত এটা ছাঁত মেলি লৈ কোটি পুৰুষীয়া নিজৰ দেশত এঠাইৰ পৰা আন ঠাইলৈ বিনা বাধা বিঘিনিৰে যাব পাৰিলে হেঁতেন। যদি ভাৰত-বাসীয়ে আজি বাগিচাত সোমাই নিজৰ সৰ্ব্বস্বান্ত কৰাৰ ভয় নকৰি এজনী গাই ৰাখি নিজৰ লৰা ছোৱালীক এটোপা গাখীৰ দিব পাৰিলে হেঁতেন, বিদেশী ধনী হোৱাত আমাৰ অকণো ক্ষতি নাছিল।

"ৰাইজসকল! আপোনালোকে আজিও গমি চাইছে নে আমাৰ কিয় এনে দুৰ্গতি? মোৰ আগৰ বক্তাই কৈ গৈছে, বিদেশী শাসনেই এই দুৰ্গতিৰ গুৰি। মই কওঁ ই ভুল। এই দুখ-দুৰ্গতিৰ গুৰি হৈছে আমাৰ বিদেশী ভক্তি—আমাৰ বিদেশী-প্ৰীতি। আমাৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড ৰেডিঙেই হ'ক বা লৰ্ড চিন্‌হাই হ'ক, আমাৰ গৱৰ্ণৰ ছাৰ ৱিলিয়ম মেৰিছেই হ'ক বা ছাৰ ছৈয়দ ছাদুল্লাই হ'ক তাত আমাৰ বিশেষ ক্ষতি নাছিল যদি ভাৰতে ভাৰতীয়ক হে প্ৰীতিৰ চকুৰে চালে হেঁতেন, যদি ভাৰতে বছৰি ষাঠি কোটি টকা বিদেশী ফিৰফিৰীয়া ধুতি সাৰীৰ কাৰণে খৰচ নকৰিলে হেতেন, যদি ভাৰতে ভাৰতীয় গুৰ এৰি বিদেশী চেনিত বছৰি বাইশ কোটি টকা নষ্ট নকৰিলে হেঁতেন। মই কওঁ কোট, পেণ্ট, টাই, হেট, ব্ৰাণ্ডি, হুইস্কি, চেম্পেইন, নেভিকাট, গোল্ডফ্লেকতো মোৰ আপত্তি নাছিল, যদিহে এইবোৰ উপভোগ কৰিবলৈ গৈ আমি ভুগিব নেলাগিলে হেঁতেন। যদিহে ইয়াত খৰচ কৰা টকা ভাৰততে ঘূৰি থাকিল হেঁতেন, যদিহে এইবোৰত পইছা এটা খৰচ কৰা মানে সেই পইছাটো জাহাজত বোজাই দি বিদেশলৈ পঠায় দিয়া নহল হেঁতেন।

"ঋষি গান্ধীৰ মুখত একাষাৰ কথা শুনিব—খাদৰ, খাদৰ, খাদৰ। ইয়াৰ অৰ্থ যেয়ে যিহকে নকৰক লাগিলে, খাদৰ কেৱল স্বদেশীৰ প্ৰতিশব্দ। নহলে ই তুলসীপাতো নহয়, বেলপাতো নহয় যে তুলসীপাত বেলপাতত তুষ্ট হৈ বিষ্ণু শিৱই তেওঁবিলাকৰ পুৰী ল আমাক নিয়াৰ দৰে খাদৰ অঞ্জলিয়েও আমাক স্বৰাজ-স্বৰগ পোৱাব। খাদৰৰ অৰ্থ ভাৰতৰ পইছা কলৈকো যাবলৈ নিদি ভাৰততে ৰখা। খাদৰৰ অৰ্থে বিলাসিতা বৰ্জ্জন কোনো কোনোৱে বুজিলেও, আৰু সম্প্ৰতি তাক সকলোৱে বৰ্জ্জন কৰিলেও, বিলাসিতা চিৰকাললৈ এৰিব পৰাটো মানৱ প্ৰকৃতিৰ ভিতৰুৱা কথা নহয়। বিলাসিতা আৰু স্বৰাজৰ মাজত সতিনাসতিনী সম্বন্ধ থকাৰো কোনো কাৰণ নাই। গতিকে যদি বিলাসিতা নহলেই নহয়, তাক যেন বিদেশক এটি পইছাও নিদিয়াকৈ কৰা হয়। যদি ভাৰতৰ উপকৰণেৰে বিলাসিতা কৰিব নোৱাৰি তেন্তে তাক চিৰকাললৈ পৰিহাৰ কৰা হ'ক। ভাৰতৰ বাহিৰলৈ এটি পইছা পঠিয়ায়ো যেন কোটি কোটি খাবলৈ নোপোৱা ভাৰতবাসীৰ মুখৰ গৰাহ কাঢ়ি নিয়াৰ নিচিনা মহাপাতক নকৰে, এয়ে মোৰ মিনতি।"

অনেক গণ্ডগোলৰ মাজেদি ১৯২১ চনটো পাৰ হৈ গ'ল। লাহে লাহে দেশ চেঁচা পৰিও আহিল। ১৯২১ চনৰ তপত বতাহৰ মাজতো মোৰ কিন্তু মাষ্টৰী এৰা নহল। এড্‌ভান্সড্‌ সকলে কব "তোমাৰ মাষ্টৰীত নো কি ফুটুকাৰ ফেন সোপা আছে যে তাতে আওকাল মাৰি ধৰি থাকিলা। আজিকালি পাণ-বিৰিৱালায়ো মাহে এশ টকা উপাৰ্জ্জন কৰে।" মই কওঁ "ভায়া, মাষ্টৰী নকৰিলে ইয়াৰ কি সোৱাদ বুজিবা? ভবিষ্যতৰ আশা-ভৰসা এই কুমলীয়া লৰাকেইটাক এৰি দি স্বৰাজো

মোলৈ ৰসহীন।" গতিকে মাষ্টৰীতে চিনাজোকৰ দৰে লাগি থাকিলো। বোধকৰো গৱৰ্ণমেণ্টৰ পেন্সন বা শমনৰ চমনত হে ইয়াৰ শেষ।

কিন্তু সি যি নহ'ক, প্ৰত্যেকটো বিদেশী বস্তু কিনোতে কিবা এটা পাপ কৰিছো যেন লাগিবলৈ ধৰিলে। বাহিৰৰ পৰা তো কোনো উদ্গণি নাই; অন্তৰেৰে নো কত দিন যুঁজ কৰিম? লাহে লাহে বিদেশী এৰি স্বদেশীত লাগিলো। প্ৰথম কলগেট টুথ. পাউডাৰ এৰি বেঙ্গল কেমিকেলৰ এণ্টিছেপ্টিক ধৰিলো। হাস্‌নাহানাৰ ঠাই ললে অগুৰুৱে। ভেন্‌উচাৰ ঠাইলৈ আহিল হিমানী। ছোৱান ইঙ্কৰ ঠাই কাজলকালী আৰু ব্লেকবাৰ্ডৰ ঠাই ৰুবীয়ে সুকলমে অধিকাৰ কৰি পেলালে। মুঠতে আজি ৰেল্, জাহাজ, ছাইকেল আদিৰ বাহিৰে সকলো ঠাইতে সকলো সময়তে সম্পূৰ্ণ-ৰূপে স্বদেশী হৈ মনত যি আত্মপ্ৰসাদ লাভ কৰিছো, বোধ কৰো ৰাখিংটনেও আমেৰিকাৰ স্বাধীনতা লাভ কৰি সিমান আত্মপ্ৰসাদ লাভ কৰা নাছিল। যদিওবা "মহাত্মা গান্ধীৰ জয়" বুলি ১৯২১ চনত জেলত সোমাবলৈ নহল, তথাপি জেল খোৱা সকলতকৈও বেছিকৈ দেশৰ কাম কৰিছোঁ বুলি মনতে ওফন্দি পৰিছিলো, তাক অইনে গম নেপালেও নিজে বেছ গম পাইছিলো। নহ-বৰেই বা কি কাৰণ? ১৯২১ চনৰ জেলযাত্ৰী সকলৰ তো সৰভাগেই হয় তো কিছুমানে মদ-ভাং বেচিছে, নহয় কানি বেচিছে; মই শিক্ষাদান কৰি যি আছোঁ আছোৱেই; কামে কাজেও তেনেই স্বদেশী।

তাহানিৰ পৰাই "ষ্টেটচমেন" পইচা দি তো নপঢ়োৱেই লোকৰ পালেও নপঢ়ো। নিজে লওঁ "অমৃতবজাৰ পত্ৰিকা" "মাসিক বসুমতী"। লোকৰ পালে পঢ়ো এডভান্স, লিবাৰ্টি, আনন্দবাজাৰ, প্ৰবাসী ইত্যাদি ইত্যাদি। "অসমীয়া" "বাতৰি" "বাঁহী" "আৱাহন" আদি অৱশ্যে নপঢ়ো; কাৰণ তাত পঢ়িব লগীয়া বিশেষ একো নাথাকে। হায়! সপোনতো ভবা নাছিলো, মোৰ প্ৰিয় স্বদেশী কাকত-বোৰে যে অসমীয়া মোক ইমানটো বুকতে কামোৰ মাৰিব! হায়! মোৰ যে স্বদেশী আজি বতাহত উৰি গ'ল!

কথাটো বোধ কৰো খুলি নকলেও হব। কাৰণ মোৰ প্ৰিয়, মোৰ গৌৰৱৰ স্থল, মোৰ স্বদেশীত সদায় ইন্সপিৰেশ্যন দি অহা এই স্বদেশী কাকতবোৰৰ কিছুমানে হয় মোৰ নিজ অসমৰ সৰহ ভাগকে, আকৌ কিছুমানে হয় গোটেই দেশখনকে গিলি নিজে হৃষ্ট পুষ্ট হবলৈ কলৰব কৰিবলৈ ধৰিছে। তেওঁলোকৰ যুক্তিতৰ্ক ফঁহিয়াই দেখুৱা লৈ মোৰ আৰু ধৈৰ্য্য নাই। পাছে মই মোৰ জীৱনৰ গৌৰৱ স্বদেশিতাৰে কৰো কি? তাহানি বিলাতী কাপোৰত মহাত্মাই নিজে জুই লগাই দিয়ালৈ মনত পৰিল। সোধ নাই পোছ নাই আগতে যাকে য'তে পালো, হিমানী, কাজলকালী, কুন্তলীন, অগুৰু, বঙ্গলক্ষ্মী ঢাকেশ্বৰীৰ ধুতি, পাবনাৰ গেঞ্জী, বোম্বাই বিছনাৰ চাদৰ, কলিকতীয়া বিৰি, পুৰণি অমৃতবজাৰ, মাহেকীয়া বসুমতী সকলো গোটাই ডিগবৈৰ কেৰাচিন তেল ঢালি, "টিগাল" দিয়া চলাইৰ কাঠী এটা মাৰি জ্বলাই দি লা।

এতিয়া মই কৰোঁ কি? কেহৰাজ বটি চিয়াহী আৰু ঢেকীয়াশলি কাটি কলম এটা সাজি নললে যে মোৰ গল্পটোকে লিখিব নোৱাৰোঁ। কিন্তু কি আনন্দৰ বিষয়, বিজ্ঞাপনত দেখিলো অসমীয়ায়ো মূৰত লবলৈ "মায়াবিনী তেল" আৰু লিখিবলৈ "চেনেহী চিয়াহী" আৰু "আসাম ইঙ্ক" বজাৰত উলিয়াইছে। বাকীবোৰ অহাৰো এয়ে সূত্ৰপাত নহয় নে? কিন্তু সি যি কি নহক মই বুজিব পাৰিছো, মোৰ স্বদেশী ভাবপ্ৰৱণতাৰ সুবিধা লৈ, বঙালী বোম্বাইৱালাইতক আৰু চহকী হবলৈ নিদিওঁ ধিক মোৰ স্বদেশিতা! যি স্বদেশিতাই মোৰ নিজ অসমীয়াৰ মুখত গঢ়াহ তুলি নিদিয়ে।

অসমীয়া ভাষাৰ প্ৰকৃতি

(৩)

—পণ্ডিত শ্ৰীযুত উমাকান্ত মিশ্ৰ ব্যাকৰণতীৰ্থ বিদ্যাবিনোদ

সংস্কৃত	প্ৰাকৃত	অসমীয়া
অনিয়মিত	অনিয়মিয়	অনিয়মীয়া
অপচয়	অপচয়	অপচয়
অপৰ	অপৰ	অপৰ
অপৰিচ্ছন্ন	অপৰিচ্ছন্ন	অপৰিচ্ছন্ন
অপ্ৰতিয়ৎ (কৃ)	অপত্তিয়ংত	অপতিয়াওঁতা
অপ্ৰভ	অপহ, অপ্পহ	আপাহ
	(নিস্তেজ, প্ৰভাহীন, দুৰ্ব্বলতা, ত্ৰুটী দুখ-কষ্ট ইত্যাদি।)	
অপাদান	অপাদাণ	অপাদান
অপান	অপাণ	অপান
অপাৰ	অপাৰ	অপাৰ
	(পাৰ নাথাকা, অনন্ত, অনেক)	
আপ্ত	আপ্প	আপ
	(মান্য, মাননীয় বৃদ্ধ, হিংসাদ্বেষশূন্য।)	
আত্মন্	অপ্প	আপা (পুতেক)

"আত্মা বৈ জায়তে পুত্ৰঃ।" 'আত্মাই পুত্ৰৰূপে পৰিণত হয়'। এই বেদবাক্যমতে সেই অৰ্থ যুক্তি-সঙ্গত। নাইবা—

দেঃ	অপ্প	আপ, আপা
		(পিতা, দেউতাক, জনক)

মৰমতে সৰু লৰাক পিতা বা তদৰ্থ বোধক শব্দ ব্যৱহাৰ কৰি সম্বোধন কৰাটো চিৰন্তন ৰীতি। যেনে—"হীয়তে হি মতিস্তাত! হীনৈঃ সহ সমাগমাৎ।' ইয়াত সৰু লৰাক 'তাত' অৰ্থাৎ পিতা বুলি সম্বোধন কৰা হৈছে। জনকক বুজোৱা নাই। এনে প্ৰমাণ বহুত আছে।

আত্মন	অপ্পণ	আপুন, আপুনি
		(স্বয়ং, নিজে, নিজে নিজে)
আত্মীয়	অপ্পণ	আপুন, আপোন
স্বয়ং	অপ্পণা	আপুনা, আপুনি আপোনা, আপনা আপনি
যেনে—		সি আপোনা-আপুনি পঢ়িছে। সি আপনা-আপনি পঢ়িছে।
অপ্ৰত্যয়	অপ্পতিয়	অপতিয়া
অপ্ৰত্যয়ন	অপ্পতিয়ণ	অপতিয়ান অপতিয়ান
স্বয়ং আত্মনা	অপ্পণা অপ্পাণা	আপনা আপনি আপোনা আপুনি
		(সকল নিজে, নিজে নিজে, আনৰ সহায় বা অনুমতি নোলোৱাকৈ।)

(ধাতু) সং+দিশ্ (সক) অপ্পাহ (অপ্পাহই) কৃঃ—আপাহ্

(লেঠা, ছুতা, দোষ, দুখ, কষ্ট)

(ধাতু) আ+ফালয়্ (সক) অপ্‌ফাল (অপ্‌ফালই)

আফালিয়া-আফালিয়ায়।

আস্ফাল	অপ্‌ফালিয়	আফালিয়া। আফালিয়।
অফল	অফল	অফল
অবল	অবল	অবল
অবলা	অবলা	অবলা
অবাধ্য	অবাধ্য	অবাধ্য
অবাধ	অবাধ	অবাধ, অবাধে

অবহিস্	অবাহিব	অবাহিব (ভিতব)
অবাহ	অবাহিবয়	অবাহিবিয়া
	অবাহিবিয়	(ভিতকবা)
অবুদ্ধ	অবুঝা	অবুজ
অবুদ্ধিক	অবুদ্ধিয়	অবুদ্ধিয়া
অভ্রাহ্মণ	অব্রহ্মণ	অবামুণ
অভয়	অভয়	অভয়
অভয়ঙ্কব	অভয়ংকব	অভয়ঙ্কব
অভাব	অভাব	অভাব
অভাষা	অভাসা	অভাষা
অভিনয়	অভিণয়	অভিনয়
অভিনব	অভিণব	অভিনব
অভিন্ন	অভিন্ন, অভিন্ন	অভিন্ন, অভিন
অভিভব	অভিভব	অভিভব
অভিমান	অভিমাণ	অভিমান
অভিবাম	অভিবাম	অভিবাম (সুন্দব, ধুনীয়া)
অভিলাষ [স]	অভিলাস	অভিলাষ
অভিলাষিন্	অভিলাসি	অভিলাষী
অভীক	অভীক	অভীক
(ধাতু) অস্ (সক)	অম (অমই)	আমা, আমায় আমুবা, আমুবায়

যেনে—মুখ আমুবাইছে বা আমাইছে

অমধ্য	অমঝা	অমাজ, অমজা (মাজভাগতকৈ আন, মাজভাগ নথকা)
অমন, অমনস্ক	অমণ	অমন, আমন (মন নিৰিষা, মন যোগহীন, অপ্রীতিকৰ, বিমনস্ক, অন্য, শেষ)
অমনুষ্য	অমনুস	অমানুহ
অমানুষ	অমানুস	

(নিন্দিত মানুহ, মনুষ্যত্বহীন)

মানুহৰ প্রকৃত কর্ত্তব্য বা নীতিহীন মানুহ।

অমমত্ব	অমমত্ত	অমমাত্ (মমমহীন, স্নেহশূন্যতা)
অমৃতময়	অমৃমময়	অমৃমময়, মমময় অমৃতেবে ভবা, অমৃতব নিচিনা, অতি সুন্দব অতিমধুব।
আমব	অমব	অমব (দেব সম্বন্ধীয় ; স্বর্গীয়, অলৌকিক)
অমব	অমব	অমব দেবতা, মবণহীন, যশস্বী
অমবপুব	অমবপুব	অমবপুব
অমবপুবী	অমবপুবী	অমবপুবী
অমবালয়	অমবালয়	অমবালয় (স্বর্গ, অমবাবতী)
অমর্ষণ	অমবিষন	অমবিষণ
অমবী	অমবী	অমবী
অমল	অমল	অমল
অমান	অমাণ	অমান আমন (নম্র, নম্রতা, অলেখ)
অমিত্র	অমিত্ত	অমিতা (বন্ধুত্বহীন, শত্রু)
অমৃত	অমিয়	অমিয়, অমিয়া
অমূর্ত্ত, অমূর্ত্তক	অমুত্ত, অমুত্তক	অমুত্ত, অমুত্তক
অমুক্তক	অমুত্তক	অমুত্তক মূর্ত্তিহীন, স্বরূপ বুজিব নোৱাবা, এবা নিৰিয়া। যেনে—'তাৰ অমুত্তক বেমাৰ।'
অমূল্য	অমোল্ল	অমোল (মূল্যহীন, মহামূল্য, সহজে মূল্য দিব নোৱাবা)
দেঃ	অম্ৎও	আমতা সঙ্কুচিত, প্রস্তুত, লেবেলি যোৱা, লাজব পৰা উপজা নম্রতা

যেনে :— আমতা আমতি

অৰব	অৰব অবল	আঁৰ, আবাল (ঢাকা, ঢাকনী, বৃদ্ধ লাগা, পৰিপাটী নাথাকা, আঁবলগা)
অৰি	অৰি	অৰি
অৰুণ	অৰুণ	অৰুণ (সূর্য্য, সূর্য্যৰ সাৰথি, বঙা)
অৰোগিয়	অৰোগি	অৰোগী
অৰোধ	অৰোদ	অৰোহ (খং নকৰা, ঠেহ নাপাতা)
অল	অল	আল (বিছাৰ গুং, তাৰ দৰে অতি সূক্ষ্ম বস্তু)
অলঙাৰ	অলংকাৰ	অলঙাৰ
অলকা	অলকা	অলকা
অলক্ষ্য	অলক্ষ্য	আলেখ
দেঃ	অলট্-পলট্	উলট পালট ওলট পালট
অলক্ত	অলত্ত	আলতা (এবিধ বং)
অলসায়িও	অলসাইম	আইল্ছা (ধোৱা, ধোৱালি)
অলি	অলি	অলি
অলোভ	অলোভ	অলোভ

(ধাতু) উৎ+ক্ষিপ্ (সক) অল্লথ (অল্লথই) আলেথ—আলেথয়

(ওপবলৈ তুলা, ওপবত তুলি থোৱা)

বচি আদিব সহায়ত ওপবত আঁৰি থোৱা

(ধাতু) আ+লী (সক) অল্লী (অল্লীঅই) আলা—আলায় (আঁৰি থোৱা, জোঁটা, আশ্রয় কবা)

(ধাতু) উপ+স্থপ্ অল্লিঅ (অল্লিঅই) অলা অলায়
ওলা ওলায়

(ওচব চাপা, আগব ঠাই এবি আহা বা ওলোৱা বুজায়।)

অবমাননা	অবমণণা	অবমাননা
দেঃ	অবযবিঅ	অবযব, অবঅব, (বিয়োগ বিচ্ছেদ, কর্ম্মশূন্য, অবসব)

(ধাতু) অব+লম্ব (অক) অৱলংব (অৱলংবই, অৱলংবেই) অলম্—অলমে পাচনি—অলমা, অলমায় (ক) অৱলংবিঅ অলমি

অবলম্ব	অৱলংব	অলমা
অবলম্বক		
অবশ	অবশ	অবশ
অবসৰ	অবসব	অবসব
অবসান	অবসান	অবসান
অবশেষ	অবসেস	অবশেষ
অবিনয়	অবিনয়	অবিনয়
অবিধি	অবিধি	অবিধি
অবিৰাম	অবিৰাম	অবিৰাম
অবিষম	অবিষম	অবিষম
অবিশেষ	অবিসেস	অবিশেষ
অবুঢ়	অবুঢ়ু	অবুঢ়া
(অব্য)	অব্বো	আবে (দুখ, খেদ, বিস্ময় ইত্যাদি)

(ধাতু) অস্ (অক) অৱ (অস্সি) আছ—আছে

অসঙ্গ	অসংগ	অসঙ্গ
অসম্ভাব্য	অসংভব্য	অসম্ভব
অসংশয়	অসংসয়	অসংশয়
অসজ্জ	অসজ্জ	অসজ
অশন	অসন	অশন
অশ্রদ্ধা	অসদ্ধা	অসাদ্ধা (শ্রদ্ধাৰ অভাব)
অসম	অসম	অসম
অসহ	অসহ	অসহ (সহিব নোৱাবা, অসহনশীল, অক্ষম, অযোগ্যতা।)
অসহন	অসহণ	অসহন

অসহ	অসহ	আছহু, আছহুৱা	অসূয়া	অসূয়া	অসূয়া
	(অসহিষ্ণু, অসহিষ্ণুতা, অসহনীয় ।)		অশেষ	অসেস	অশেষ
অসাৰ	অসাৰ	অসাৰ	অশোভন	অসোভন	অশোভন
অসাধন	অসাহণ	অসাহন	অশ্বত্থ	অস্‌সত্থ	আঁহত
সং—সাধন, প্ৰা—সাহণ, অসমীয়াত সাহন বা সাহোন। কোনো কাৰ্য্য সাধনৰ উপায়, সম্পত্তি, এতেকে তাতকৈ বেলেগ—অসাহন বা অসাহোন।			{ আশ্বস আশ্বাস	অস্‌সস আস্‌সস	আস্‌সহ
অসি	অসি	অসি	অথ	অহ	অহ্ (অঃ)
অসিদ্ধ	অসিদ্ধ	অসিদ্ধ			(বিস্ময়, প্ৰশ্ন, উত্তৰ)
অসীমন্	অসীম	অসীম	অহঙ্কাৰ	অহংকাৰ	অহঙ্কাৰ
অশুদ্ধ	অসুদ্ধ	অশুদ্ধ, অশুধ	অহঙ্কাৰিন্	অহংকাৰি	অহঙ্কাৰী
অশুভ	অসুভ	অশুভ	(অব্য) অহহ	অহহ	অহ্ অহ্
অসুৰ	অসুৰ	অসুৰ			(খেদ, আশ্চৰ্য্য, দুখ, বিস্ময়)

ভাৰতবৰ্ষ

(আগৰ সংখ্যাৰ পিছৰপৰা)

কবিতা— —শ্ৰীযুত ৰত্নকান্ত বৰকাকতী

শুনি সি অনন্ত বাৰ্ত্তা সিদিনা ভাৰতবৰ্ষ
খলকি উঠিল সিকি
বিপুল হৰ্ষত,

হৃদয়ে হৃদয়ে আহা বিশ্বাস আনন্দ শ্ৰদ্ধা
উপচি পৰিল স্পৰ্শ—
মণিৰ স্পৰ্শত ।

পঞ্চনদ তীৰে তীৰে অনন্ত আকাশ ছানি
কত শত শত আহা
ঋষি কণ্ঠবাণী,

প্ৰথম পুৱাৰ সেই বিবিধ বিহঙ্গ যেন
মুক্তকণ্ঠে আৰম্ভিলে
প্ৰাণ জাগ্ ধ্বনি ।

চাপিলেহি কত শিষ্য খেদি আহি তপোবন
চউ পাশে ঘেৰি লই
ঋষি গুৰু বেদী,

মধুলোভী মধু যেন আহে দূৰ দূৰণিৰ
গুণ্ গুণ গুণ্ ৰৱে
মধুচক্ৰ খেদি ।

বনৰ হৰিণো আহি আশ্ৰমৰ প্ৰাঙ্গণত
নিৰ্ভয় মুকলি মনে
কৰেহি উল্লাস ;

জড় আৰু চেতনৰ নাই যেন একো ভেদ
আত্মীয় সকলো জীৱ
আত্মাৰে প্ৰকাশ ।

অদম্য প্ৰাণৰ সেই আনন্দ উচ্ছ্বাস লাগি
শিশু যেন প্ৰভাতৰ
লভি জাগৰণ,

সোদৰৰ ভ্ৰাতৃ বুলি আকোৱালি বুকু মেলি
পৰস্পৰে পৰস্পৰ
দিলে আলিঙ্গন ।

অন্নই কৰিলে বহু আপোনাক, বহু হল
প্ৰজা, পল্লীৰ প্ৰতিষ্ঠা,
নগৰ নিৰ্ম্মিত,

ক্ৰমে ৰাজ্য সুগঠিত চাওঁতে চাওঁতে আহা
পলকতে ভাৰতৰ
সাম্ৰাজ্য স্থাপিত ।

সেই এটি গত দিন হিন্দু জীৱনৰ সেই
সিন্ধু গঙ্গা কাবেৰীৰ
ত্ৰিবেণী সঙ্গম,

উঠিছিল মথি যত অমৃতৰ মহাধ্বনি
মুগ্ধ কৰি চৰাচৰ
স্থাবৰ জঙ্গম ।

হিন্দু জীৱনৰ সেই সেই এটি গত দিন
জগতৰ সভ্যতাৰ
প্ৰথম শিখৰ,

নব অৰুণৰ ৰাগে আহিছিল নামি ৫ গে
প্ৰথমতে ধৰালই
আলোক নিৰ্ঝৰ ।

সেই এটি গত দিন হিন্দু জীৱনৰ সেই
সিন্ধু গঙ্গা কাবেৰীৰ
ত্ৰিবেণী সঙ্গম,

আই লক্ষ্মী সৰস্বতী একেলগে আবিৰ্ভূত
ৰজাৰ ভবন, আৰু
ঋষিৰ আশ্ৰম ।

ৰাজআলি ভবনত চঞ্চলা কমলা কৰে
উন্মাদ স্ফূৰ্ত্তিৰে আহা
ক্ষত্ৰিয় গৰিমা,

বীণাপাণি বাগ্দেবী ঋষিৰ আশ্ৰম গই
ঝঙ্কাৰিছে মহা মৌন
ব্ৰাহ্মণ মহিমা । —ক্ৰমশঃ

চেনি

—শ্ৰীযুত তাৰকচন্দ্ৰ শৰ্ম্মা

একমাত্ৰ কিউবাক এৰি ভাৰতৰ সমান পৃথিৱীৰ আন কোনো দেশত চেনি উৎপন্ন নহয়। কিন্তু তথাপিও ভাৰতীয় চেনিৰে দেশৰ মানুহৰ অভাৱ পূৰণ নহয়।

মহাসমৰৰ আগেয়ে ভাৰতলৈ বিদেশৰ পৰা ৬ লাখ ৩৩ হাজাৰ টন চেনি আহিছিল। যুদ্ধৰ পিছত ⅓ আমদানী কমিছিল, যোৱা ৬ বছৰৰ ভিতৰত চেনিৰ আমদানী আগতকৈ বহুত বাঢ়িছে। বৰ্ত্তমান এই দেশলৈ ৮ লাখ ৫০ হাজাৰ টন চেনি আহে। চেনিৰ বাবে ভাৰতে বছৰি ১৮ কোটি টকা বিদেশত ঢালিব লগাত পৰে।

জাভা আৰু মৰিছছ এই দুই দেশৰ পৰা চেনি আমদানী কৰা হয়। যুদ্ধৰ পিছৰ পৰা মৰিছছৰ আমদানী কমি আহিল। এতিয়া গোটেই চেনিয়ে জাভাৰ পৰা আহে। মৰিছছে জাভাৰ $\frac{১}{৩৬}$ অংশ মানহে পঠায়।

জাভাৰ পৰা যিমান চেনি বিদেশলৈ ৰপ্তানী কৰা হয় তাৰ ৩০।৪০ ভাগ ভাৰতলৈ আহে।

ভাৰতৰ চেনিৰ কাৰবাৰ ২॥ হাজাৰ বছৰ আগৰ পৰা চলি আহিছে। এসময়ত ভাৰতৰ পুৰা কুঁহিয়াৰৰ চেনি চেনি-প্ৰধান সকলো দেশৰ চেনিতকৈ উত্তম আছিল। ভাৰতীয় পূৰ্ব্বদ্বীপপুঞ্জত ১৭৯২ চনত ওটাহাইট নামে কুঁহিয়াৰ ওলোৱাৰ বাহিৰে আন একো কুঁহিয়াৰৰ নাম জনা হোৱা নাছিল। পঃ ভাঃ দ্বীপপুঞ্জত ক্ৰেওল কুঁহিয়াৰ নামে আজিও পুৰী কুঁহিয়াৰৰ খেতি হৈ আছে। অসমতো খীণ অৱস্থাত পুৰা কুঁহিয়াৰ দেখিবলৈ পোৱা যায়।

১৭৫০ চনৰ পৰা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ পৰা বিলাতলৈ চেনি ৰপ্তানী কৰে। ১৭৯১ চনত ৯৬ হণ্ডৰ চেনি লণ্ডনলৈ ৰপ্তানী কৰা হৈছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চেনি উৎপন্ন কৰা কামত কেতিয়াও হাত নিদিছিল, কেৱল আমদানী ৰপ্তানীৰ সাউদ আছিল মাথোন।

ছাৰ উইলিয়াম শ্লীমেন এজন লেখৰ কুঁহিয়াৰ খেতিয়ক আছিল। জব্বলপুৰত তেখেতৰ এখন প্ৰকাণ্ড কুঁহিয়াৰতলী আছিল। পোনতে তেখেতেই ভাৰতত ওটাহাইট কুঁহিয়াৰৰ খেতি উলিয়ায়।

১৮৩৬ চনত ভাৰতীয় চেনিৰ কাৰবাৰত আচৰিত পৰিবৰ্ত্তন ঘটে। বিদেশী ধনী সকল আহি টকাৰ বলেৰে পঃ ভাৰতৰ অভিজ্ঞ খেতিয়ক বিলাকক হাত কৰি লয়। এই ধনী বিলাকৰ ভিতৰত লিওনাৰ্ড ৰ আৰু এছ, এইচ, ৰবিনছন্সৰ নাম উল্লেখযোগ্য। এওঁলোকে কুঁহিয়াৰৰ খেতি সম্পৰ্কে কিতাপো লিখিছে।

১৮৪৬ খৃঃৰ পৰা ভাৰতীয় চেনিৰ ব্যৱসায়ৰ মূৰত ৰাম টাঙোন পৰে। সেই বছৰত ইংৰাজৰ অৰ্থনৈতিক আইনৰ বহুল পৰিবৰ্ত্তন হয়। তাৰে ফলত লণ্ডনলৈ পঠোৱা ব্ৰেজিল কিউবাৰ চেনিতকৈ ভাৰতৰ চেনিয়ে আমদানী মাছুলৰ যি সুবিধা পাইছিল সিও গুচিল। বেছি মাছুলৰ গুণে ভাৰতীয় চেনিৰ আমদানী বন্ধ হোৱাত কাৰবাৰটো একেবাৰে পৰি গ'ল। আৰু আজিলৈও সেই মৰামুৱা অৱস্থাতে আছে।

ভাৰতত মুঠ ৩০ লাখ একৰ মাটিত কুঁহিয়াৰৰ খেতি হয়। অসমত ৪০ হেজাৰ একৰ বা ৩০,২৫০ পুৰা মাটিত এই খেতি কৰা হয়।

ভাৰতত গুড়ৰ পৰা চেনি তৈয়াৰ কৰাৰ নিয়ম আছিল। ১৯০০ চনৰ পৰা আধুনিক প্ৰথাত চেনি তৈয়াৰ কৰা আৰম্ভ হয়। এই চনত ইণ্ডিয়া ডেভেলপমেণ্ট কোং নামে কোম্পানী এটাই বিহাৰৰ ওট্টাৰ চহৰত এটা চেনিৰ কাৰখনা খোলে। তাৰ পিছত নানান ঠাইত চেনিৰ নতুন কল স্থাপিত হয়। এই কল বিলাকৰ এতিয়া ২৬ টা চেনিৰ কাৰখনা আছে—২১টা বিহাৰ আৰু যুক্তপ্ৰদেশত, ৬টা মাদ্ৰাজত, এটা বোম্বাইত আৰু এটা ব্ৰহ্মদেশত। এই কল বিলাকৰ পৰা ১৯২৮-২৯ চনত ৬৬,০০০ টন চেনি প্ৰস্তুত হৈছিল। প্ৰায় প্ৰতিটো কাৰখনাতে বছৰি ২০০০ ৰপৰা ২৫০০ টন পৰ্য্যন্ত চেনি হয়।

বিশ্বপ্ৰৱাহ

শিৱসাগৰৰ কালীমূৰ্ত্তি

এই কালীমূৰ্ত্তিখন শিৱসাগৰৰ শ্ৰীযুত লক্ষ্মীনাথ বৰুৱাৰ



শিৱসাগৰৰ কালিমূৰ্ত্তি

ঘৰত ওলাইছিল। মূৰ্ত্তিখন হঠাৎ মাটিৰ তলত পোৱা যায়।

উটৰ নোম কটা

আমি সাধাৰণতঃ ভাবো যে বুৰুজ তৈয়াৰ কৰিবলৈ



জ্যামিতিমূলক ডিজাইন থকা উট

হে উটৰ নোম কটা হয়। কথাটো হওঁতে নহয় বুলিব নোৱাৰি। কিন্তু মাজে সময়ে তাত জ্যামিতিমূলক 'ডিজাইনো' দেখিবলৈ পোৱা যায়। লাহোৰৰ ওচৰৰ মেলা এখনৰ পৰা ছবিৰ এই উটটোৱে ইয়াৰ প্ৰমাণ দিয়ে।

সৌন্দৰ্য্যৰ ধাৰণা

এইখন এখন তিৰোতাৰ ছবি—"ভয়েজ টু দি কঙ্গো" নামে ছায়াচিত্ৰ এখনৰপৰা লোৱা হৈছে। তিৰোতা



গৰাকী মাজ-আফ্ৰিকাৰ। তেওঁ "সৌন্দৰ্য্য"ৰ অদ্ভুতীয়া ধাৰণা এটা কৰি লৈছে।

এণ্টা পাহাৰৰ অগ্ন্যুৎপাত

অলপতে চিচিলি দ্বীপৰ এণ্টা পাহাৰত অগ্ন্যুৎপাত হৈছিল। তাৰপৰা কিবা বৈজ্ঞানিক তথ্য উলিয়াব পাৰিব বুলি তলৰ ছবিত দেখা আগ্নেয়গিৰিতত্ত্ববিদ্‌জনে আগ্নেয়-

গিবিৰ মাজলৈ গৈছে। তেওঁ কিমান ডাঙৰ বিপদৰ সম্মুখীন হৈছে তাক নকলেও হব। আগ্নেয়গিৰিত সোমোৱামানে জীৱন উছৰ্গা কৰি দিয়া। তেওঁ মৃত্যুলৈও কেবেপ নকৰি



জীৱনতকৈও তথ্য অনুসন্ধানকহে বৰ কৰিছে। উন্নতমনা মানুহৰ জ্ঞানলিপ্সা ইমানেই বলৱতী!

ভন হিন্দেনবার্গৰ সভাপতি নির্ব্বাচন

এই ছবিত মটৰ গাৰীৰ ওপৰত দেখা প্রতিমূর্ত্তিখন



ভন হিন্দেবার্গৰ বাষ্ট ফটোৰ প্রতিমূর্ত্তিয়ে বালিন নগৰত পেৰেড কৰিছে

জার্ম্মেনিৰ বণদেৱতা ফিল্ড-মার্শল ভন হিন্দেনবার্গৰ। তেওঁ যিদিনা জার্ম্মেনিৰ সভাপতি নিৰ্ব্বাচিত হয় সেইদিনা এই ফটোখন তোলা হয়। সেই দিনাই এই প্রতিমূর্ত্তিখন বালিন নগৰত শোভাযাত্রা কৰি লৈ ফুকৰা হয়।

এঠাইৰপৰা আন ঠাইলৈ ঘোৱা চৰাই

এই ছবিত যি তিন শাৰী চৰাই দেখা যায়, সিহঁত গৰম দেশত থাকিব নোৱাৰে। সেই কাৰণে সিহঁতে থকা ঠাইত গৰম পৰিলত আফ্রিকাৰ ফালে জাৰকালিটো কটাবলৈ ওলাইছে। এই চৰাইবোৰ টেলিগ্রাফৰ তাঁৰৰ



ওপৰত পৰিছে আৰু জুম বান্ধি আফ্রিকাৰ ফালে যাবলৈ সাজু হৈছে।

চৰাইৰ জীৱন বক্ষা

তলৰ ছবিটো 'লাইট হাউছ'ৰ লণ্ঠন। ইয়াৰ বৰ গোহৰ। ঠাই সলনি কৰি সুদূৰ চৰাইবোৰ ইয়াৰ গোহৰত মুগ্ধ হৈ ইয়াৰ কাষত পৰেহি। তেতিয়া লণ্ঠনৰ তাপত

কাচত বাগি সিহঁতৰ জীৱনান্ত হয়। আজিকালি চৰাই-হিতৈষী সকলে তাত চৰাইবোৰ নিবাপদে পৰিবলৈ



সন্ধোপ কৰি দিছে। এতিয়া আৰু আগৰ দৰে চৰাই নমৰে।

কইম্বাটুৰত দিল্লী-চুক্তিৰ সৌৰবণী



গান্ধী আৰুইন ষ্টেডিয়াম

মহাত্মা গান্ধী আৰু বৰলাট লৰ্ড আৰুইনৰ দিল্লী চুক্তিৰ সৌৰবণী বাধিবলৈ স্মৃতিসৌধ এটা কইম্বাটুৰত সাজিছে। তাৰ নাম দিছে 'গান্ধী-আৰুইন ষ্টেডিয়ম'।

ওলিম্পীয়া খেলমাটি

১৯৩২ খৃঃৰ ওলিম্পীয়া খেল এইখন খেলমাটিত হব। ওলিম্পীয় খেলমাটিৰ এইখন আকাশৰ পৰা লোৱা



ওলিম্পীয়া খেলমাটি

ফটোগ্রাফ। খেলমাটিগনত ১০,৫০০০ মানুহ বহিব পাৰিব।

'ইণ্ডিয়া হাউছ'ত ভাৰতীয় শিল্পী

লণ্ডনৰ 'ইণ্ডিয়া হাউছ'টো ভাৰতীয় শিল্পী সকলে



শ্রীযুত বন্ধাই হাওয়া হাউছ ডেকোৰেট কৰিব ধৰিছে

সজাব ধৰিছে। দখিণ কেন্সিংটনৰ ৰয়েল আৰ্ট কলেজত তেওঁলোকক শিক্ষা দিয়া হয়। ছবিত কাম কৰিব ধৰা শিল্পীজন শ্ৰীযুত বৰ্ম্মা। তেওঁ জীৱনৰ আঠকালৰ একাল বুজুৱা ছবি আঁকিব লাগিছে।

বাওনা ঘোঁৰা

Newarkঅৰ জন, চি, লুচাডেমা নামে মানুহ এজনৰ এটা বাওনা ঘোঁৰা আছে। তাৰ নাম পিউই। ঘোঁৰাটোৰ ওজন এশ পাউণ্ড হব। ই মুঠে ২৭ ইঞ্চি ওখ। তাৰ বয়স এতিয়া ৫ বছৰ হৈছে। তথাপি সি আৰু বঢ়া



২৭ ইঞ্চি ওখ বাওনা ঘোঁৰা

নাই। হেজাৰ হেজাৰ বছৰ আগেয়ে সেই দেশৰ ঘোঁৰাৰ পূৰ্ব্বপুৰুষবোৰ মুঠে তিনফুট ওখ আছিল।

জাৰ্ম্মান ছাত্ৰসকলৰ স্বেচ্ছাসেৱা

জাৰ্ম্মেনিৰ ছাত্ৰসকলৰ আৰ্থিক অৱস্থা স্বচ্ছল নহয়।



সেই নিমিত্তে বাহিৰা আয়ৰদ্বাৰা যাতে তেওঁলোকে খোৰাক পোছাক উলিয়াব পাৰে তাৰে এটা উপায় উলিয়াইছে টুবেঙ্গেন বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে। বন্ধৰ ভিতৰত তেওঁলোকে ৰাইজৰ হিতকৰ কেতবোৰ কাম কৰি দিব। ৬৫ জন মানুহ লগ লাগি তেওঁলোকে এটা দল গঠন কৰিছে। এই দলটোৱে মান্সিঙ্গেনৰ ওচৰৰ হাবিৰ মাজেদি এটা আলিবাট উলিয়াব। দলটোৰ আদ্‌খিনি ছাত্ৰ আৰু আদ্‌খিনি নিবনুৱা।

ছাছেক্সৰ এটি পুৰণি ৰীতি



ছাছেক্সৰ হাষ্টপিয়াৰ পয়েণ্ট কলেজৰ ছাত্ৰসকলে পাহাৰ বগাব ধৰিছে

ছাছেক্সৰ ওচৰৰ ৯০০ ফুট ওখ পাহাৰ এখনত—হাষ্টপিয়াৰ পয়েণ্ট কলেজৰ ছাত্ৰসকলে বগাই উঠিব লাগিছে। পাহাৰৰ টিঙত উঠাৰ পিছত পুৰণি ৰীতি অনুসৰি তেওঁলোকে লেটিন ভাষাত এটি সঙ্গীত গাব লাগে,—সেই সময়ত গায়কসকলক যোগ্যতা অনুসৰি পুৰস্কাৰ দিয়া হয়। কেৱল ছাছেক্সৰে নহয়, য়ুৰোপৰ সকলো স্কুল আৰু কলেজৰ ছাত্ৰই এইদৰে নানা ৰং ধেমালি কৰি বন্ধৰ দিন কেইটি দেশ বিদেশত ঘূৰি ফুৰে।

৭৫ পাউণ্ড পিতলৰ অলঙ্কাৰ পিন্ধা, তিৰোতা

ছবিত দেখা এই তিৰোতা মানুহজনীক সাধাৰণতঃ কলিকতাৰ কলেজষ্ট্ৰীটত দেখা পোৱা যায়। মানুহজনীৰ গাত ৭৫ পাউণ্ডৰ পিতলৰ অলঙ্কাৰ থাকে।



৭৫ পাউণ্ডৰ গহনা পিন্ধা তিৰোতা

ফৰ্ম্মোচাৰ্দ্বীপত অদ্ভুত কাণ্ড

ফৰ্ম্মোচাৰ্দ্বীপৰ আদিম অধিবাসীবিলাকৰ ছোৱালীবোৰ অলপ নতুন ধৰণৰ। যি দৰাই যিমান বেছি মানুহ মাৰি



দৰাই কইনাক দিবলৈ মাৰি অনা এশাৰী মানুহৰ মূৰ

তাইহঁতক মূৰবোৰ দিব পাৰিব, সেই দৰাকহে তাইহঁতে পতিৰূপে পাবলৈ বাঞ্ছা কৰে।

পৃথিবীৰ আটাইতকৈ সৰু ধৰ্ম্ম

বাইবেলৰ উল্লিখিত পুৰণি ছিছেম নগৰীৰ বৰ্ত্তমান নাম নেব্ৰাছ—তাৰ ওচৰত জোছেফৰ নামৰ লগত সম্পৰ্ক থকা নাদ আৰু জেকবৰ কবৰ আজিও আছে। এই



পৃথিৱীৰ সবাতো সৰু ধৰ্ম্মৰ ধৰ্ম্মবাণী

ঠাইত ছেমাৰিটান বুলি এটি ধৰ্ম্ম-সম্প্ৰদায় আছে। এই সম্প্ৰদায়ৰ মুঠ লোকসংখ্যা মাত্ৰ ১৩০ জন। তেওঁলোকে আজিও জেৰুজেলেমৰ সকলো নৈষ্ঠিকতাক অৱজ্ঞা কৰি জোছুৱাই প্ৰচাৰ কৰা ধৰ্ম্মমত পালন কৰি আছে, আৰু তেওঁলোকৰ মতে জেৰুজেলেমৰ ধৰ্ম্ম অৰ্থহীন আৰু পাৱত-গজা। তেওঁলোকৰ ধৰ্ম্মনীতিবোৰ এখন সোণ-ৰূপৰ কাৰুকাৰ্য্য থকা ৰেছমী কাপোৰত লিখা আছে আৰু তেওঁলোকৰ বিশ্বাস যে এৰণৰ নাতিয়েক ইলিজাৰে নিজ হাতে এই নীতিবোৰ লিখি থৈ গৈছে। এইখন সেই কাপোৰখনৰ এটি ছবি।



এইজনা বেড ইণ্ডিয়ান বা আমেরিকার আদিম অধিবাসী। এওঁ আমেরিকার গরর্ণমেণ্টর ওখ বাব খায়।



কানি তদন্ত কমিটি

বহি :—বাওঁফালর পরা এজনএবি শ্রীযুত তারাপ্রসাদ চলিহা বেবিষ্টর, বেভাবেণ্ড চি, এফ্ এণ্ড্রুজ (সভাপতি), শ্রীযুতা দেরবালা চলিহা, শ্রীযুত কুলধর চলিহা।

থিয় হৈ :—বাওঁফালর পরা--শ্রীযুত কৃষ্ণনাথ শর্ম্মা, ৺ বোহিণীকান্ত হাতীবরুরা সম্পাদক, শ্রীযুত বিষ্ণু প্রসাদ চলিহা।



বেভাবেণ্ড্ চি, এফ্ এণ্ড্রুজ (ইংবাজ হলেও, ববলাটর গদীত যাক বহুরাই ভাবতবাসীয়ে প্রকৃত স্বরাজ পালোঁ বুলি কব পাবে), শ্রীযুত যাদব প্রসাদ চলিহা আরু শ্রীযুতা দেরবালা চলিহা।

যৌবন-তীর্থ

কবিতা— —শ্রীযুত অতুলচন্দ্র হাজবিকা, বি-এ

জীবনব মোব আশা অভিলাষ
যদিও সকলো ব্যর্থ
তথাপি পালোঁহি নিজব অজ্ঞাতে
পবিত্র যৌবন-তীর্থ।

কুলু গীত গাই প্রিয়া নইখনি
আহি বাটকুবি বাই
নই সাগবত মিলিছে ইয়াতে
মোহন মোহনা পাই।

সৌন্দর্য্য-শোভিত এই তীর্থবেই
বিচিত্র মন্দিব অতি
ফুলধনু লই আছে থাপনাত
কামদেব বতিপতি।

বিবিক্ষিদেবব বিজয় বাতবি
তোবণতে লেখা আছে
মেলি দুই পখা সখী চিত্রলেখা
মিলন-দূতীয়ে নাচে।

অনন্ত বসন্ত বিবাজি চৌপাশে
মূর্ত্তিমন্ত দীপ্তিমান
বসন্ত কটকী কুলি কেতেকীব
বমাস্থান পুষ্পোদ্যান।

মন্দিব সোমাই দেবতাব আগত
আঁঠু ললোঁ জুয়োজনে
জীবনব অমিয়া পিবলই পালোঁ
অতি হবষিত মনে।

পীবিতি মবম স্বর্গীয় ধবম
প্রণয়ব অভিমান
প্রেম আলিঙ্গন মধুব মিলন
চুম্বন মদিবা দান।

দেব-আশীর্ব্বাদ মাদক প্রসাদ
নির্ম্মল, তীর্থব জল
পালোঁ পাবোঁ মানে পাই ধন্য হলোঁ
জীবন সার্থক হ'ল।

কাম-কুণ্ড পালোঁ উটি বুবি তাত
কবিলোঁ তীর্থব স্নান
উঠিলোঁ ভক্তিবে নতুন শক্তিবে
নববলে বলীয়ান।

সকলো সুন্দব পুণ্য ই তীর্থব
পায় যত নব প্রাণ
দেৱতাবো দেৱতা জানিছো নিশ্চয়
যাব এই অবদান।

তীর্থবো তীর্থত বিবাজিছে যত
সুন্দববো সুন্দব জল
যাউতিগুণীয়া সেই তীর্থবাসী
হবলৈ মেলিছোঁ মন।

দিয়া ভবিধূলি যাওঁ বাট বুলি
সবাবে আশীষ লাগে
অনন্ত যাত্রীয়ে অনন্ত-উদ্দেশে
অনন্ত যৌবন মাগে।



ভাৰতীয় শোক প্ৰকাশ প্ৰণালী

চিত্ৰ—ওপৰৰ ফালে বি. চি. চক্ৰবৰ্ত্তীৰ, তেওঁৰ বাওঁফালে—বি. চি. চেৰকম, তেওঁৰ সোঁফালে—ইয়ং, আৰু তলত ব্ৰুকছ

বেজবৰুৱা-সাহিত্যৰ হাস্যৰসৰ চমু আভাস

—শ্ৰীযুত বিবিঞ্চিকুমাৰ বৰুৱা

পণ্ডিতসকলে কৈ গৈছে যে বাক্যং ৰসাত্মকং কাব্যম্। ৰসেৰে হৈছে একাত্ম সম্বন্ধিত বাকৈ কাব্য। বামনাচাৰ্য্যৰ মতে গুণ আৰু অলঙ্কাৰৰ দ্বাৰা সুশোভিত শব্দ আৰু অৰ্থই কাব্য। কোনো-কোনোৱে আকৌ কয় যে 'ৰসাত্মতি ইতি কবিঃ তস্য কৰ্ম্ম কাব্যম্'—অৰ্থাৎ সমাজৰ হৃদয়ত যি ৰসৰ সঞ্চাৰ কৰিব পাৰে, তেৱেই কবি, আৰু তেঁৱ কৰ্ম্মই হৈছে কাব্য। মেথিউ আৰ্ণল্ডৰ মতে কবলৈ গলে এয়ে হৈছে Criticism of life—মানৱ হৃদয়ৰ সুখ দুখৰ অনুভূতিয়েই কাব্যৰ সমল। জীৱনৰ লগত অঙ্গাঙ্গী সম্বন্ধ আছে বুলিয়েই কাব্য চিৰন্তায়ী, পৰিপূর্ণ আৰু সত্য। ভাৰতীয় কবি শ্ৰীযুত ৰবীন্দ্ৰনাথ ঠাকুৰে কয়, কাব্যৰ এটা গুণ যে কবিৰ ৰচনা-শক্তিয়ে পাঠকৰ ৰচনা শক্তি জাগ্ৰত কৰি দিয়ে; তেতিয়া নিজ নিজ প্ৰকৃতি অনুযায়ি কোনোৱে সৌন্দৰ্য্য, কোনোৱে নীতি বা কোনোৱে তত্ত্ব সৃষ্টি কৰে।

এতিয়া কথা হৈছে, ৰস কি? উপনিষদত কৈছে, ৰসো বৈ সঃ। ৰসং হ্যেবায়ং লব্ধানন্দী ভৱতি, অৰ্থাৎ সচ্চিদানন্দ পৰমব্ৰহ্ম পৰমপুৰুষতেই ৰসৰ জন্ম। ৰস উপভোগৰ অৰ্থে তেওঁ প্ৰাণীমাত্ৰেৰে সৈতে জগত সৃষ্টি কৰিছে। সৌন্দৰ্য্য বিকাশেই সৃষ্টিৰ কাৰণ। যি পূর্ণ, মধুৰ আৰু সত্য নেগে হৈছে সুন্দৰ। মানুহমাত্ৰে সুন্দৰৰ আশাত বলিয়া। কবিৰ কথাবে কবলৈ গলে, "সুন্দৰৰ আৰাধনা জীৱনৰ ব্ৰত।" আত্মা সুন্দৰ আৰু সত্য। মানুহে অজানিতভাৱে সদায় পূর্ণ আৰু অনাবিল ফালে আগ বাঢ়ি গৈছে। সীমাবদ্ধ, অপূর্ণ আৰু অসুন্দৰ মানুহে অন্তৰত অতৃপ্তিৰ বহ্নি সৈ অপূর্ণৰ বা অনিন্দ্যনীয় সৌন্দৰ্য্য ৰসৰ সন্ধানত জীৱন আহুতি দিছে।

শিল্প আৰু সাহিত্যৰ বিষয় আলোচনা কৰোতে শ্ৰীযুত ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল যে শিল্পই (পট) অসীম সৌন্দৰ্য্যক সীমাবদ্ধ কৰিছে। সেইখিনিতে শিল্পৰ ৰূপৰ খানি। সাহিত্য কিন্তু অসীম; বাহ্যিক আৰু আভ্যন্তৰীক ৰূপৰ লগত মিলনৰ কাৰণেই সাহিত্য অখণ্ড আৰু সীমাহীন; সেই কাৰণে সাহিত্য ৰসৰ ভঁড়াল। সাহিত্যৰ ৰসৰ মূল হৈছে ভাব। পকা ফলৰ মধুৰ সোৱাদৰ দৰে ভাবপৰিপূর্ণ লিখনীত ৰস সৰং ৰৈ ৰৈ ছ। ভাবৰ পৰিবৰ্ত্তনৰ লগতেই বিভিন্ন ৰসৰ মূল নির্ভৰ কৰিছে। ভাবৰ ৰূপ আৰু গন্ধৰ পৰশত সাহিত্যত নব ৰসৰ সৃষ্টি হৈছে। হাস্যৰস ইয়াৰে এটি অঙ্গ। সৃষ্টিৰ পাতনিৰে পৰা মানুহে হাঁহিবলৈ আৰম্ভ কৰিছে; অনন্তত মানুহ হাঁহি হাঁহিয়েই লীন যাব। কবিয়ে কৈছে "আনন্দাৎ ৰ্ব খল্বিমানি ভূতানি জায়ন্তে" আনন্দৰ মাজেৰেই পৃথিৱীৰ জন্ম, আনন্দতেই ইয়াৰ বিকাশ—আনন্দৰ ভিতৰেদিয়েই তাৰ ধ্বংস। পৰম আনন্দ লাভতেই শান্তি আৰু মুক্তি। বুদ্ধৰ দিয়েই নির্ব্বাণ, ইটালিয়েনৰ সিয়েই Dolce far niente। সভ্যতাৰ লগে লগে মানুহৰ এই আনন্দ উপভোগ বা হাঁহিৰ পৰিবৰ্ত্তন ঘটিছে। সভ্যতাৰ উন্নতিৰ লগে লগে মানুহে বিভিন্ন ধৰণৰ হাঁহি বা আনন্দ আবিষ্কাৰ কৰিছে। মানুহে সাহিত্য গঢ়ি তাৰ ৰস সৃষ্টি কৰি—সেই ৰসৰ সোৱাদ লৈ হাঁহিবলৈ বা কান্দিবলৈ শিকিছে। এই হাঁহিয়েই হৈছে সাহিত্যৰ হাস্যৰস।

কম্পটন্ ৰিকেটে হাস্যৰসৰ বিষয়ে লিখিছে,—"It (humour) derives from a sense of incongruity, on instinctive realisation of the clash between the Ideal and Real, of the poetry of life and the prose of life." Bergson এই প্ৰায় তাকেই কৈছে। তেওঁ কয় "The rigid, the ready-made, the mechanical in contrast with

the supple, the ever-changing and the living; absentmindedness in contrast with attention, in a word, antomaticism in contrast with free activity, such are the defects that laughter singles out and would fain correct." শ্ৰীযুত ৰবীন্দ্ৰ নাথ ঠাকুৰে ইচ্ছাৰে সৈতে অৱস্থাৰ অসঙ্গতি, উদ্দেশ্যেৰে সৈতে উপায়ৰ অসঙ্গতি, কথাৰে সৈতে কাৰ্য্যৰ অসঙ্গতিৰ ওপৰতে হাস্যৰসৰ মূল নিৰ্দ্ধাৰিত কৰিছে। বিজ্ঞানৰ কথাৰে কবলৈ গলে দুটা বিপৰীত গতিৰ সংঘৰ্ষণ হাস্যৰসৰ জন্ম। সাহিত্য দৰ্পণ পুথিত এই ৰসৰ বিষয়ে এনেদৰে বৰ্ণাইছে—"অস্বাভাৱিক আকাৰ, অস্বাভাৱিক সাজ-পাৰ, অস্বাভাৱিক কাৰ্য্য আৰু অস্বাভাৱিক বাক্যতেই ইয়াৰ উৎপত্তি।"

ভালেমানে হাস্যৰসৰ মাজত নিষ্ঠুৰতাৰ যোগ আছে বুলি অনুমান কৰে; কিয়নো, অসঙ্গতি বা অস্বাভাৱিকতাৰ মাজত নিষ্ঠুৰতা আছে। যি ধৰ্ম্ম, নীতি, বুদ্ধি বা সৌন্দৰ্য্যত আমাতকৈ হীন, তাক অৱলম্বন কৰি আমি হাঁহোঁহঁক। নিৰ্ব্বোধ মানুহৰ নিৰ্ব্বোধতালৈ আঙুলিয়াই আমি ইতিকিং কৰোঁ, অসঙ্গত কাৰ্য্যকাৰকৰ ব্যৱহাৰত আমাৰ মুখ হাঁহিৰে নভৰা হয়। গোন্ধাই গুৱালৰ মৃত্যুৰ পিছত, কলিকতাৰ মিৰ্জ্জাপুৰ ষ্ট্ৰীটৰ ঘৰ এটাৰ খোঁটালীত পেট পেলাই তস্য পুত্ৰ ভোকোন্দায়ে বিষাদৰ আচৰিত ধৰণৰ কবিতা ৰচনাত ব্যস্ত থকা ঘটনাটিলৈ মনত পৰিলে আমাৰ হাঁহি উঠে। কিয়? কেৱল মাইকেলৰ অমৃতাক্ষৰ ছন্দৰ প্ৰয়োগত নহয় গোন্ধাই গুৱালৰ সমুখ-ৰণ, আৰু "পতিপ্ৰাণা জেতুকী ঈশ্বৰীয়ে"ও ইয়াৰ ৰস স্ৰজনত ভালেখিনি সহায় কৰিছে।

হাস্যৰসৰ মাজত গৌৰৱ আৰু Egotism ভাব দেখা যায়। বৰ্ত্তমান ইংৰাজী সাহিত্যত বাৰ্ণাৰ্ড্‌শ্বই যি হাস্যৰস সৃষ্টি কৰিছে তাৰ ভিতৰত ইয়াৰ পৰিচয় পোৱা যায়। জাতি, শাসন, সমাজ, অনুষ্ঠান, ব্যক্তি সকলোৰে তন্ন-তন্নকৈ অসঙ্গতি খুচৰি চাই তেওঁ পৰিহাস কৰিছে। এইবিলাকৰ বাহ্যিক আৰু অন্তৰৰ মিল নোহোৱাটোৱেই শ্বৰ হাঁহিৰ প্ৰধান কাৰণ হৈছে। তেওঁৰ হাঁহি বিদ্ৰূপৰ হাঁহি। আনফালে আকৌ চাৰ্লচ্ লেম্ব আদি সাহিত্যিক সকলে দেখুৱাই গৈছে যে মানুহ ভ্ৰমশীল; কিয়নো, মানুহ প্ৰাণহীন শিলৰ মূৰ্ত্তি নহয়। য'ত প্ৰাণ আছে ত'তেই পৰিবৰ্ত্তন। ভুল-ভ্ৰান্তি, দোষ-গুণ, ন্যায়-অন্যায়ৰ সোঁত জীৱনৰ মাজতেই আছে। এটুকুৰা পাথৰ আৰু জীৱৰ লগত এইখিনিতে প্ৰভেদ। এজন সাহিত্যিকৰ কথাৰে কবলৈ গলে "মানুহৰ জীৱনৰ কাৰ্য্য ভুল আৰু অসঙ্গতিৰ ছন্দেৰে গঁথা হৈছে; মানুহে যদি অকল সাধুভাষাৰে কলে হেঁতেন, বা সৎকামকেই কৰিলে হেঁতেন, তেন্তে তেওঁৰ জীৱন গদ্যময় হল হেঁতেন।" এনে সাহিত্যিকৰ অন্তৰত মানৱৰ প্ৰতি প্ৰগাঢ় ভক্তি, শ্ৰদ্ধা আৰু ভালপোৱা আছে। লিখনীৰ মাজত তেওঁ কেতিয়াও নিজৰ অৱস্থা আৰু অস্তিত্বৰ কথা পাহৰি নেযায়। মানুহৰ সামান্য সুখ-দুখ, অনুভূতিৰ কণা পৰ্য্যন্তৰে সৈতে তেওঁৰ সম্বন্ধ। ইয়াৰে কোনোবাটিত আঘাত পৰিলেই তেওঁৰ ইন্দ্ৰিয় সজাগ হৈ উঠে আৰু তাৰ শান্তিৰ নিমিত্তে তেওঁ ব্যস্ত হৈ পৰে। তেওঁলোকৰ সাহিত্যই সকলোৰে মনত সমানভাৱে আনন্দ দিব পৰা শক্তি তাতেই পাইছে।

হাস্যৰসৰ মাজত সৰহ-তাকৰ অনুযায়ী সমবেদনা বা সহানুভূতি লুকাই আছে। সহানুভূতিৰ জন্ম অন্তৰ্দৃষ্টিত। দকৈ বিচাৰি নেচালে মানৱ-হৃদয়ৰ এই মাধুৰ্য্য সাহিত্যত বিচাৰি পোৱা টান। সমবেদনা নহ'লে হাস্যৰসৰ সৌন্দৰ্য্য নষ্ট হৈ যায়। অন্তৰত কোমলতা আছে দেখিয়েই বাহিৰত আমাৰ হাঁহি। যাৰ হৃদয়ত কোমলতা, মাধুৰ্য্য বা সহানুভূতি নাই তাৰ মুখত সৌন্দৰ্য্যৰ ৰাণী হাঁহিও নাই; যদি আছে, তেন্তে সি ৰসহীন, জ্যোতিহীন, সাৰহীন, কাঠহাঁহি বা কপট হাঁহি। সৃষ্টিৰ আদিৰে পৰা হাঁহিৰ লগত মানুহৰ জীৱন একেডাল বটীয়াৰে সিয়া হৈছে। জীৱহীন পদাৰ্থই আমাৰ হাঁহি তোলাব নোৱাৰে। কবিগুৰু ৰবীন্দ্ৰনাথৰ ভাষাৰে কবলৈ গলে, "জড় প্ৰকৃতিৰ মাজত কৰুণ ৰসো নাই, হাস্যৰসো নাই। এটা ডাঙৰ শিলে সৰু শিলগুটি এটিক বগৰাই পেলালে আমাৰ

চকুত পানী নোলায়, নাইবা, সমতল ঠাইত ঘূৰি ফুৰোতে হঠাৎ চকুৰ আগত "খাপছাৰা" গিৰিশৃঙ্গ এটা পৰিলে আমাৰ হাঁহি নুঠে। নদী, নিজৰা, পৰ্ব্বত সমুদ্ৰৰ ভিতৰত মাজে সময়ে আকস্মিক অসামঞ্জস্য দেখিবলৈ পোৱা যায়। সেইবিলাক বাধাজনক, কষ্টদায়ক, বিৰক্তিজনক হব পাৰে, কিন্তু কোনো ঠাইতে কৌতুকজনক নহয়।"

এইখিনিতে কথা উঠিব পাৰে যে কেতিয়াবা ২ অসঙ্গতিয়ে আমাৰ চকুৰ পানী উলিয়ায় কিয়? নাটক পঢ়ি তাৰ নায়ক হবলৈ হেঁপাহ কৰা, কবিতা পঢ়ি হা-হুমুনিয়াহ কঢ়া, গিৰীন্দ্ৰ বৰাৰ প্ৰথম দৰ্শনত ওপজা প্ৰেম-কাহিনীৰ কথা শুনি অনেকেই হয় তো প্ৰথমে হাঁহিৰে খলক লগাব। কিন্তু গিৰীন্দ্ৰ বৰাৰ জীৱনৰ ভীষণ "ভুলটো" বিশ্লেষণ কৰি চোৱাৰ পিছত, সেই হাঁহিৰ আভা কিমান পৰলৈকে থাকিব? মোহৰ বশবৰ্ত্তী হৈ অৰূপ জগতত ৰূপৰ অন্বেষণ কৰি অনেকে নিজৰ জীৱন বিপন্ন কৰিছে। ভুল আৰু তাৰ পৰিণামৰ এটা সীমা আছে; সেই সীমাৰ অতিক্ৰমেই জীৱনৰ পট পৰিবৰ্ত্তন। গিৰীন্দ্ৰৰ ভুলৰ গুৰুত্ব বন্ধুৱে ভালকৈ উপলব্ধি কৰিছিল, আৰু তাৰ যে ঔষধ নাই, তাকো তেওঁ বঢ়িয়াকৈ বুজিছিল; সেই কাৰণে গিৰীন্দ্ৰক উপদেশ বা উপহাস কৰিবলৈ নগৈ তেওঁ একে আষাৰেই কৈ থলে "নোৱাৰো দিব।" এতিয়া কথা হৈছে, হাঁহি আৰু বিষাদৰ পাৰ্থক্য কত? হৰ্ষ আৰু বিষাদ এখনি হিয়াৰে দুটা সুকীয়া স্তৰ। অসঙ্গতিয়ে যেতিয়া হিয়াৰ অনতিগভীৰ স্তৰত আঘাত কৰে, তেতিয়া আমি হাঁহোঁ, গভীৰতম স্তৰত আঘাত কৰিলে আমাৰ চকুত পানী ওলায়।"

বীণাৰ এটি স্তৰত হাত বুলালে আনটিত স্বাভাৱিকতে ঝঙ্কাৰ উঠে। হাস্যৰসতো সেই একে কথাই খাটে। যেতিয়া আমাৰ মুখত সাহিত্য-হাঁহিৰ প্লাৱন বয়, তেতিয়া হৃদয়ৰ কোনোবা অজনা কৰুণ সুৰৰ স্তৰ আপোনা-আপুনি কঁপি উঠে (১)। ইংৰাজী সাহিত্যত ইয়াৰেই নাম Pathos। এজন ইংৰাজ লিখকে লিখিছে—"Humour is very near to pathos. Our smiles and our tears are alike limited by our powers of insight and sympathy." অন্তৰ্দৃষ্টি হাস্যৰসৰ আন এটি গুণ বা aspect। মানুহৰ অন্তৰৰ গভীৰ তলিত সোমাই সুখ-দুখৰ বোজাটি মেলি জাৰি-জোকাৰি চাই হুবহু প্ৰকাশ কৰিব নোৱাৰিলে, হাস্যৰস স্ৰজন কৰা অসম্ভৱ। আন্তৰিকতাই হাস্যৰসক এইখিনিতে অনেক পৰিমাণে সহায় কৰে। মানুহৰ অন্তৰত ভুমুকি মাৰি, সুখ-দুখ অনুভৱ কৰি তাৰ সমানভাগী হব নোৱাৰাটোৱেই আন্তৰিকহীনতাৰ ডাঙৰ দোষ।

ওপৰত উনুকিউৱা শ্লেষপূৰ্ণ আৰু সহানুভূতিপূৰ্ণ দুয়োবিধ হাস্যৰসেই বেজবৰুৱা সাহিত্যত ফুটি ওলাইছে। অহঙ্কাৰ আৰু গৰ্ব্বত আস্ফালন কৰা সমাজ বা শক্তিৰ প্ৰতি তেওঁ বিদ্ৰূপৰ, আৰু অশিক্ষিত নিৰ্ব্বোধ, হোজা মানুহৰ প্ৰতি সহানুভূতিৰ হাঁহি হাঁহিছে। অন্তৰৰ পৰশমণিৰ স্পৰ্শ পাই, তেওঁৰ মুখত সুবিমল হাঁহি বিৰিঙি পৰিছে।

আদিম যুগত মানুহে গাইগুটীয়া হিচাপে বাস কৰিছিল। সেই সময়ত নিজৰ স্বাৰ্থ বজাই ৰাখিব পৰাটোকে মানুহে কৰ্ত্তব্যৰ ভিতৰত ধৰিছিল। সভ্যতাৰ লগে ২ মানুহে বুজিব পাৰিলে যে ষোল অনা স্বাৰ্থ বজাই ৰাখিবলৈ কৰা চেষ্টা বৃথা। সকলোৱে নিজৰ ২ আংশিকভাৱে স্বাৰ্থ ত্যাগ নকৰিলে আন কি জীয়াই থকাটো বই অন্ততঃ কিছুমানৰ পক্ষে অসম্ভৱ হৈ পৰিল। তেওঁলোকে অচিৰে সমাজবান্ধোনত বান্ধ খালে; সেইদিনাৰে পৰা এই কট্‌কটীয়া সমাজ বান্ধ ছিঙিবলৈ বা উপেক্ষা কৰিবলৈ তেওঁলোকে স্বত্ব হেৰুৱালে। তেতিয়াৰে পৰা ব্যক্তি আৰু সমাজৰ সুখ-দুখ একত পৰিণত হল। তেওঁলোকৰ বান্ধোনৰ দোলডাল হল মনুষ্যত্বৰ প্ৰগাঢ় স্নেহৰ দোল। ৰাজনৈতিক নহলেও আধ্যাত্মিক বা সমাজনৈতিক কালৰ পৰা তেওঁলোকে এই বান্ধোন ছিঙিব নোৱাৰা হ'ল। যেতিয়া কোনো সমাজে এই বান্ধ ঢিলা কৰি ব্যক্তিবিশেষক উৎপীড়ন কৰিবলৈ চেষ্টা কৰে,

(১) "Laughter is made to swell the tears of our sorrow."

তেতিয়া সেই সমাজ হাঁহি, বিদ্রূপ আৰু গৰিহণাৰ পাত্ৰ হয়। অজাতিৰ সন্তান জয়চন্দ্ৰৰ দহবছৰীয়া পুতেক নোমল চন্দ্ৰই, ফয়চলানবিচৰ ঘৰৰ আগৰ পুখুৰীটোত নামি তাতে হাতভৰি ধুই পানী একাঁজলি খালে। এই কাৰণে ফয়চলানবিচৰ লৰাই ছোৱালীয়ে, ঘৰে ঘৰোৱাহে পানীৰ আটকত লঘোনেভোকে থাকিব লগা হল। হিন্দুতকৈও হিন্দু হৈ থাকি জয়চন্দ্ৰৰ তিনি পুৰুষে ঘঁহি-পিহি গুচাব নোৱাৰা চেকাটোৱে ইয়াৰ মূল। ফয়চলানবিচৰ সনাতন হিন্দুধৰ্ম্মৰ বিশুদ্ধতাৰ নিমিত্তে কৰা এনে ধৰণৰ পৰিশ্ৰম আৰু অনুৰাগ দেখি হাঁহি চম্ভলা টান হৈ পৰে। জয়চন্দ্ৰই মহমদীয় ধৰ্ম্ম গ্ৰহণ কৰাত ফয়চলানবিচে জয়লাভ কৰি আনন্দত ধেক্-ধেকাবলৈ ধৰিলে—তেওঁৰ লগতে সমাজৰ পোন্ধৰ অনা তিন পইছা মানুহেও কিৰিলি পাৰি যোগ দিলে। এই পোন্ধৰ অনা তিন পইছা মানুহ অকল হাঁহিয়েই ক্ষান্ত নাছিল। জয়চন্দ্ৰই "মোৰ নাবালক লৰাটোৱে দুপৰীয়া পিয়াহত পানী এচলু খালতহে পুখুৰীটো চুৱা গ'ল" বুলি দীঘল বিষাদৰ হুমুনিয়াহ কাঢ়োতে—তিনি পইছা বাদে পোন্ধৰ অনা সমাজৰ মুখ বিষাদৰ কালিমাই ঢাকি থৈছিল। সমাজ-শাসকৰ ভয়ত ফুটাই কব নোৱাৰিলেও অন্তৰ তেওঁলোকৰ জয়চন্দ্ৰৰ কাৰণে কান্দি উঠিছিল। ইয়াতে ফয়চলানবিচৰ পৰাজয়। কপট্, ধৰ্ম্মধ্বজী, স্বাৰ্থপৰ, হিংসুক সমাজৰ বৰমূৰীয়া সকলক বেজবৰুৱাই এনেকৈয়ে হাঁহিৰ বাণেৰে বিন্ধিছে। এইখিনিতে বেজবৰুৱা হাস্যৰসক social gesture বুলিও আখ্যা দিলে অপ্ৰাসঙ্গিক নহব হবলা।

আগেয়ে কৈ অহা হৈছে যে, বাস্তৱ আৰু আদৰ্শৰ অৰিয়াঅৰিত হাস্যৰসৰ জন্ম। বাস্তৱ জীৱনৰ লগত আদৰ্শৰ মিলন হোৱা অসম্ভৱ। অৱশ্যে সকলোৱে এই আদৰ্শৰ ফালেই জীৱনৰ সোঁত বোৱাইছে। ধৰো ২ কৰিও আদৰ্শক মানুহে ধৰিব পৰা নাই। বাস্তৱক আদৰ্শৰ ৰহণেৰে বোলাবলৈ গৈ মানুহ হাঁহিয়াতৰ পাত্ৰ হৈছে। উকিলৰ পৰা কাব্যৰ সোৱাদ পাই জগৰা মণ্ডলে ছোৱাই বা চুহি লাহে লাহে ঘৈণীয়েকৰ অন্তৰৰ পৰা প্ৰেমৰ সোৱাদ লবলৈ হেঁপাহ কৰিলে। হোজা নিৰ্ব্বোধ মণ্ডলে তাৰ জীৱন আৰু কাব্যৰ ভিতৰৰ পাৰ্থক্যখিনি পঢ়িব নোৱাৰিলে। ক্ষণিক উত্তেজনাত বলিয়া হৈ জগৰা মণ্ডলে অলপ সময় পেমৰ গুম্‌গুমনিৰ বাহিৰে একো শুনিবলৈ নেপালে। নিতৌ কথায় কথায় অমুকৰ জীয়েক, তমুকৰ জীয়েক, অমুকখাঁতী, তমুকখাঁতী, হতচিৰীহঁতী মাত পাই থকা জগৰানীয়ে হঠাতে আজি গিৰীয়েকৰ মুখৰ পৰা "মাখিমৌ" "পিয়া" সম্বোধন শুনি চৰণ পৰা মানুহৰ দৰে হ'ল। তাতোকৈ আচৰিত হল জগৰাই যেতিয়া তাইৰ কিচ কিচীয়া, ফেদেলীমুৱা মুখখনৰ থুতৰিটোত ধৰি জোনৰ ফালে ঘূৰাই সুধিলে—"এহে! কোনটি জোন? এইটিনে—সেইটি?" গিৰীয়েকৰ কথাত যদিও তাই পোনতে আপত্তি তুলিছিল, তথাপি হৃদয়ৰ কোনোবা কাষত তাইৰো "কাব্যৰ ছাপ্" আছিল। সেই হে পিছ মুহূৰ্ত্ততে উত্তৰ দিলে, "……পেম কৰিব খুজিছা কৰা, মই কিন্তু সেইবোৰ একো বুজ নেপাওঁ; কি কৰিব লাগে কৈ দিবা, দেখুৱাই দিবা, সেইদৰেই কৰিম, তুমি সন্তোষ পালেই মোৰো সন্তোষ।" জগৰানীৰ বুজিব নোৱাৰা কথাৰ ভিতৰত কিবা এটা বুজিব পৰা আছিল। সেইটো বেচেৰীয়ে অনুমান কৰোঁ কৰোঁ বুলিও কৰিব পৰা নাই সেইহে বেচেৰীয়ে জগৰাৰ সন্তোষৰ মাজেদিয়েই নিজৰ সন্তোষৰো পথ অনুসন্ধান কৰিছিল কিন্তু আগৰে পৰা এই ৰসগ্ৰহণৰ নিমিত্তে অপ্ৰস্তুত থকাত, আৰু বিশেষতঃ জগৰাৰ অত্যন্ত 'বাৰাবাৰিত' বেচেৰাৰ ক্ষণিক সুখৰ আশা ধ্বংস হ'ল। জগৰানীৰ সাংসাৰিক বুদ্ধিয়ে তৎক্ষণাৎ কৈ দিলে—মণ্ডলে আজি নিশ্চয় ক'বাত ভাং ধুতুৰা খাই আহিছে, নহলে এইখন বলিয়ালি বাকৰ কিয়? স্বামীৰ মঙ্গলৰ অৰ্থে বেচেৰীয়ে লৰালৰিকৈ জগৰাৰ মূৰত হুৰ হুৰ্‌কৈ পানী ঢালি দিলেহি। জগৰা নিৰ্ব্বাক্। উঠিব খোজা প্ৰেমৰ জুইকুৰা ভালকৈ নজ্বলোতেই মাটিকলহৰ পানীয়ে তেনেই চেঁচা কৰি পেলালে। উকিল ডাঙৰীয়াৰ কাণত এই ঘটনাটিৰ বাতৰি কোনোবাই দিছিল নে নাই কব

নোৱাৰো। যদিহে তেওঁ কেনেবাকৈ সম্ভেদ পাইছিল তেন্তে জগৰাতকৈ নিজক বেছি দোষ দি নীৰলে তেওঁ নহঁহাকৈ নাছিল। বেজবৰুৱা সাহিত্যত "জগৰামণ্ডলৰ প্ৰেমাভিনয়" হাস্যৰসৰ এটি নিখুঁত চিত্ৰ। এই চিত্ৰৰ লগত মানুহৰ জীৱনৰ কাব্য আৰু আদৰ্শ লুকাই আছে। প্ৰত্যেক মানুহৰে অন্তৰত সুপ্ত বা জাগ্ৰত অৱস্থাত কবিতা আছে। জীৱনৰ লগত মিলন হলেই কবিতাৰ পূৰ্ণ বিকাশ হয়। দৈনন্দিন দুখদৈন্যৰ মাজত অন্তৰৰ কবিতা-শক্তিয়ে কেতিয়াবা জাগ্ৰত হৈ মণ্ডলৰ দৰে কয়, "আমি বিয়া কৰিলো; লৰা-ছোৱালীৰ বাপেক মাক হলোঁহঁক; ঘোঁৰাত উঠি ছুটি মেলাদি মেলিলোঁ; কিন্তু পেম নো কি বস্তু তাৰ ভু-ভা লবলৈ কতো এখোজো ৰবলৈ নহল। সেইদেখি আমি স্বৰগৰ পেমৰ পৰা বঞ্চিত হলোঁ। গৰু মহেও পোৱালী ফুকাইছে, আমিও লৰা-ছোৱালী ওপজাইছোঁ। কিন্তু সৰগৰ পেমৰ ভু গৰু-মহেও নেপালে আৰু আমিও নেপালো।"

কোনোবা এজনে কৈছিল যে কবি, দাৰ্শনিক, বলিয়া একে শ্ৰেণীৰ প্ৰাণী। জগৰা মণ্ডলক ইয়াৰ কোনোবা শাৰীত ঠাই দিব পাৰিনে? সংসাৰৰ সৰহ-ভাগ মানুহেই পশুৰ দৰে জীৱন নিৰ্ব্বাহ কৰা নাই নে? কেইজন মানুহে জীৱনৰ স্বৰূপ পদাৰ্থ উপলব্ধি কৰিব পাৰিছে? সত্য আৰু সুন্দৰৰ পৰিপূৰ্ণ উজ্জ্বল ৰেখাৰ আভাই কেইজনৰ কপালত দেখা দিছে? সময়ে সময়ে এই ধ্ৰুৱ জ্যোতিৰ এটি ক্ষীণ আভাতে মানুহ বলিয়া হৈ পৰে। এই ম্লান আভা কবিতাময়ী জীৱনৰ ক্ষুদ্ৰ চানেকি। ঘোৰ অন্ধকাৰৰ গদ্যময় জীৱনত, ক্ষন্তেকৰ নিমিত্তে কবিতাৰ মধুহাঁহি পৰি চৌদিশ আনন্দ সোঁতত ভাহি যায়। তাতেই নিৰ্ব্বোধ মানৱৰ সুখ।

মানুহৰ প্ৰবৃত্তিসমূহৰ ভিতৰত প্ৰেমেই প্ৰধান। প্ৰেমৰ অখণ্ড সোঁত বাস্তৱ আৰু আদৰ্শ দুয়োৰো মাজতে আছে। ৰূপভেদে লৰাৰ পৰা বুঢ়ালৈকে সকলোৰে হৃদয়ত প্ৰেমৰ স্থিতি। হাস্যৰসৰ মাজত প্ৰেমৰ স্থান নাই। প্ৰেম গভীৰ; তাৰ তলি নিৰ্দ্দেশ কৰা সাধাৰণৰ পক্ষে সম্ভৱপৰ নহয়। কিন্তু প্ৰেমৰ সৈতে ভাবপ্ৰৱণতাৰ গাঢ়তৰ সম্বন্ধ হলেই হাস্যৰসৰ উদ্ভৱ হয়। প্ৰেম খেলাৰ বস্তু নহয়। বাহ্যিক জগতক অন্তৰৰ সৈতে একে কৰিব পৰাটোৱেই প্ৰেমৰ গুণ। ইয়াৰ লগত অশ্লীল বা কুৰূপৰ সংযোগ নাই। সেই কাৰণে প্ৰবৃত্তিবিলাকৰ ভিতৰত প্ৰেমক সহজ আৰু লঘু বিবেচনা কৰি যিসকলে তাৰে সৈতে আদান প্ৰদান কৰে তেওঁ-লোকেই সমাজৰ মাজত হাস্যাস্পদ হয়। নাঙলুৰ যেতিয়া কবিতাৰ শিৰডালত ফুটা ওলাই কবিতাৰস ফি-ফি কৰে ওলাবলৈ ধৰিলে তেতিয়া বেচেৰাই উপাই নেপাই আঠ বছৰীয়া পেস্কাৰৰ জীয়েক শিৰীষৰ আগত প্ৰাণৰ সোপাকে আবেগ আৰু উদ্বেগ ঢালি দিলে। কিন্তু মীনকান্ত পেস্কাৰে নাঙলুৰ কবিতাৰ সঁফুৰা ক্ৰোক কৰি অগ্নি-সংস্কাৰ কৰাত, প্ৰেমিকা শিৰীষৰ দুচকুৰেদি লুইতৰ সোঁতৰ দৰে সোঁত বৈ নগল। বৰঞ্চ খিল্‌খল্‌কৈ হাঁহি পিতাকৰ ডিঙিত ধৰি সাদৰী লগাই গোচৰ দিলে,—"এতিয়া, কেনে! নাঙলু ককাইদেউ, এতিয়া কেনে! মই নকৈ-ছিলোঁ দেউতাক কৈ দিম বুলি! দেউতা! নাঙলু ককাইদেৱে সদায় মোক মাতি আনি, বহীটো মেলি এই বিলাক কিবা পদ পঢ়ি শুনায়। আৰু মোৰ নাম কাঢ়ি ফোচ্‌২ কৰি দীঘল উশাহ টানে, আৰু চকুৰ পানী টোকে। মই তোমাক কৈ দিম বুলি ভাবি থাকোঁতেই আজি তুমি দেখিলা।" ইমান দিনৰে পৰা নাঙলুৰ হৃদয়ত খুন্দা মাৰি থকা ভাববিলাকত শিৰীষৰ কথাৰ ধুমুহা বতাহ লাগি কোনোবা দিশলৈ উৰি গ'ল। কবিতাৰ বহীখনিৰ লগত নাঙলুৰ জীৱনৰ আটাইতকৈ আপোন বস্তুটো লুকাই আছিল। এই পুথিৰ কাঠ সংস্কাৰ নীৰৱে সহ্য কৰা অসম্ভৱ কথা। কিন্তু নাঙলুৱে তাকো সহ্য কৰিলে হেঁতেন আৰু এই ঘটনাত আমি হাঁহিবলৈকো অৱসৰ নেপালোঁহেঁতেন, যদিহে শিৰীষে পিতাকৰ আগত গোচৰ নিদি নাঙলুৰ ডিঙিত সাবটি ধৰি কলে হেঁতেন—"নেকান্দিবা মোৰ ধন, তোমাক কন্দা দেখি মোৰা যে চকুপানী ওলাইছে।" নতুবা শিৰীষে একোকে নকৈ বিহাৰ আঁচলৰ আগেৰে ঢুলঢুলীয়া চকুযুৰি ঢাকি তাৰপৰা আঁতৰ হোৱা হলেও নাঙলুৱে অলপ

শান্তি পালে হেঁতেন। কিয়নো, কান্দোনত সহানুভূতি ফুটি ওলায়; কিন্তু নাঙলুৱে আদিতেই ভুল কৰিছে। নাঙলু নিজেও ভুলৰ সমষ্টিৰ ভিতৰত। আঠবছৰীয়া ছোৱালী এজনীয়ে প্ৰেমৰ বা কবিতাৰ মোল বুজিব কি? নাঙলুৰ ভাব-ভঙ্গি আৰু কবিতাক বেচেৰীয়ে ইমানদিনে হাঁহি-ধেমালিৰ বস্তু বুলিয়েই ভাবি আহিছে। শিৰীষৰ মনত এটি হাঁহিৰ থুনুপাক বঢ়িয়াকৈ গঢ়ি উঠিছিল। মীনকান্তৰ কঠুৱা হাত লাগি আজি ৰহঘৰাৰ পৰা হো-হোকৈ ৰস বাগৰিবলৈ ধৰিলে।

নাঙলুৰ অপৰিপক্ক প্ৰেম-কাহিনীৰ এইখিনিতেই অন্ত হোৱা নাই। শনিগ্ৰহৰ কোপ সাপৰ নেগুৰত বিষ বাকী থকাৰ দৰে তেওঁৰ গাতো অৱশিষ্ট আছিল। চল্লিশ বছৰীয়া কামিনী "ঝী"ৰ নামত কবিতা ৰচনা কৰাৰ অপযশ মূৰত থাপি দি বেচেৰাক কলিকতাৰ অসমীয়া মেছৰ পৰা উলিয়াই দিয়া হল। অগত্যা উপাই নেপাই বপুৰাই গিৰমিট লিখি দি কলেজষ্টিটৰ বঙালী ছাত্ৰৰ মেছত ঠাই ললেগৈ। কিন্তু ভূতে এৰিলেও দানৱে নেৰে। অসমীয়া ছাত্ৰৰ কোপদৃষ্টি আৰু হাঁহি-তাম্‌চাৰ পৰা হাত সাৰি তেওঁ এতিয়া কামিনী "ঝী"ৰ সুদৃষ্টিৰ ওপৰত পৰিল। কামিনী "ঝী"য়ে নিজৰ ভুল বুজিব পাৰি খেদ কৰিবলৈ ধৰিলে। এদিন দুপৰীয়া তাকে শুধৰাবলৈ "পান" আৰু চাৰি পইছাৰ "জলখাবাৰ" লৈ নাঙলুৰ মেছৰ খোঁটালীত হাজিৰ হলগৈ। তাৰ পিছত আঁচলৰ ওৰণিৰে মুখখনৰ আদখিনি ঢাকি হাতত থকা জলপান আৰু পানৰ ভেটি নাঙলুৰ ফালে আগবঢ়াই দি, ইহাতেৰে আঁচলৰ আগটোত ধৰি, তাৰে চকুৰ পানী টুকিবলৈ ধৰি কলে, "বাবু! আমাৰ ঘাট হয়েছে, আমায় মাফ্ কৰ, আমি বড় আহমকি কৰেছি বাবু, তুমি নিৰ্দ্দয় হয়ে চলে আসবাৰ দিন থেকে, তোমাৰ কথা ভেবে ভেবে আমি একদিনিও ঘুমোতে পাৰিনি।" এই দৃশ্যটি মেছত নহৈ নাট্যমন্দিৰত হোৱা হলে দৰ্শকৰ "বাহ বাহ" ধ্বনিয়ে ৰঙ্গমঞ্চ কঁপাই পেলালে হেঁতেন। কুঞ্জলাল বাবুহঁতে এই "ৰোমাণ্টিক" দৃশ্যটি নেদেখাকৈয়ে হাঁহিত 'গৰাগৰি' দিছিল। কুৰিবছৰীয়া চফল অসমীয়া ডেকাজনৰ অকণমান ভুলৰ কাৰণেই বুঢ়ী ফেদেলীমুৱা মেছৰ "ঝী"ৰ তেওঁৰ প্ৰতি অনুৰাগৰ কথা ভাবি কোনে নহঁহাকৈ থাকিব পাৰে? স্বাৰ্থান্ধ "কামিনী ঝী"ৰ সপোনপুৰৰ ঐশ্বৰ্য্যাকাঙ্ক্ষা আৰু অনুৰাগৰ সৈতে নাঙলুৰ ঘৃণা, বিতৃষ্ণা, লজ্জাৰ যি সংঘৰ্ষণ হৈছে তাৰ ফলতেই হাস্যৰসৰ জন্ম হৈছে।

মানুহৰ খং, ৰাগ, মান, অভিমান আদি কিছুমান প্ৰবৃত্তিয়েও সচৰাচৰ হাস্যৰস ৰচনা কৰে। এইবিলাকৰ বশবৰ্ত্তী হৈ মানুহে অসঙ্গত কাৰ্য্য কৰে। খঙৰ প্ৰকোপত মানুহে নকৰ লগীয়া কৈ, নকৰিব লগীয়া কৰি দৰ্শকৰ হাঁহিয়াতৰ পাত্ৰ হয়। মানুহৰ সুখ আৰু শান্তিৰ মাজেদি লেঠেৰি নিছিগাকৈ বৈ যোৱা জীৱনৰ সোঁতত ভেটা দি এই প্ৰবৃত্তিবিলাকে অস্বাভাৱিক পৰিবৰ্ত্তন আৰু অনৰ্থক অমঙ্গল ঘটায়। হাকিম ডম্বৰুধৰ বৰুৱাই খঙৰ বশবৰ্ত্তী হৈ চিক্‌চিকীয়া আগদাঁতটো চিৰকাললৈ হেৰুৱাই নমৰালৈকে লৰা-ছোৱালী, চাকৰ-নাকৰ, ওচৰচুবুৰীয়াৰ হাস্যৰসৰ সমল যোগালে। বিদ্যাধৰ উকিলে খঙৰ কোবত ঘৈণীয়েকক পঠিয়াবৰ কাৰণে শহুৰেকৰ ওপৰত নটিছ জাৰি কৰি ভয় প্ৰদৰ্শালে। সাদিনৰ ভিতৰত নটিছৰ কথা অনুযায়ী কাম নকৰিলে আদালতৰ আশ্ৰয় লব বুলি লগতে জনাই থলে। শহুৰেকে অনুনয়-বিনয় কৰি একো ফল নেপাই, শান্তি নিদিয়াকৈয়ে জোৱায়েকৰ ঘৰলৈ ছোৱালী পঠিয়াই দিলে আৰু সেইদিনাই তেওঁ ভাত-চৰুটো পেলাই দি সকলোকে কৈ দিলে যে তেওঁৰ জীয়েক-জোঁৱায়েক জহনীত গ'ল। বিদ্যাধৰ বৰুৱাৰ এই অদ্ভুত কাহিনীয়ে "বাৰ-লাইব্ৰেৰী" আৰু সমাজৰ মাজত ভালেদিনলৈকে হাঁহিৰ ৰছদ গোটাইছিল। এই প্ৰবন্ধ লিখকে তাহানি খঙৰ প্ৰভাৱত, বাইদেৱেকৰ বিয়াত যৌতুক দিবলৈ অনা মূল্যবান নতুন "ট্ৰাঙ্ক" এটাত কুঠাৰ মৰাৰ কাৰণে, আজিও ঘৰ-ঘৰোৱাহে হাঁহি তাম্‌চাৰ পৰা হাত সাৰিব পৰা নাই।

কুপ্ৰবৃত্তিবিলাকৰ দৰে সুপ্ৰবৃত্তি বিলাকেও সময়ে সময়ে হাঁহিৰ ৰস যোগায়। সেইদেখি এজন দাৰ্শনিকে

কৈছে, "We laugh not only at the faults of our fellow-men, but also, at times, at their good qualities." অৱশ্যে ই প্ৰবৃত্তিবিলাকৰ দোষ নহয়। অযথা, বহুল বা অপব্যৱহাৰেই হৈছে ইয়াৰ কাৰণ। নিৰীহ আৰু হোজা তৰপৰ মানুহৰ মনতহে এই প্ৰবৃত্তিবিলাকে বিশেষকৈ ক্ৰিয়া কৰে। মানুহৰ অন্তৰৰ দোষ-গুণ, সঁচা-মিছা, ন্যায়-অন্যায় বিচাৰ কৰা তেওঁলোকৰ সাধ্যাতীত। সকলো বস্তুৰ বাহ্যিকতাত তেওঁলোক ভোল যায় আৰু সকলো কথাতে সহজে পতিয়ন গৈ বুদ্ধিহীনতাৰ পৰিচয় দি নিজৰ অজ্ঞাতসাৰে লোকৰ হাঁহিয়াতৰ পাত্ৰ হয় (১)। ভোকেন্দ্ৰ বৰুৱাৰ অসমীয়া ইংৰাজীৰ সানমিহলি চিঠিখনিৰ পৰা অসীম জ্ঞানগৰিমাৰ পৰিচয় পাই মাক জেতুকী আনন্দত অধীৰ হল। মহাৰাণীয়ে উপযাচি পুতেকক বৰুৱা বিষয়খনি খাবলৈ দিয়াৰ কথা শুনি বেচেৰীৰ ৰঙত পাৰ নাইকিয়া হল। পুতেকে ইমান হেপ্ কৰা (Hope), থিং কৰা (Think), চেম্ কৰা (Shame) ৰেচ্‌পেচ্ কৰাত (Respect) জেতুকী বিস্ময়ত অভিভূত হল। গোল্ড-স্মিথৰ পণ্ডিত মোছাইৰ দৰে বেচেৰীয়ে নিজকে নিজে প্ৰশ্ন কৰিছে "এই এধানমানি লৰাটিয়ে ইমানবিলাক কথা জানিলে কেনেকৈ?" সেই কাৰণে ৰাইজে তাইৰ এনেহেন জ্ঞানী, গুণী, আদৰৰ ধন বুকুৰ মাণিক ভোকেন্দ্ৰক হিংসা কৰা কথা গম্ পাই হুৰাওৰাওকৈ কান্দিবলৈ ধৰিলে; এই কান্দোনৰ কিবা অৰ্থ আছেনে? তেলন সাজতোলা আৰু গুইন্ গুইন্ চাহাবৰ চাপ্ৰাছীটোৰ মাজত পুৱাতে লগা জোটাপুটিৰ কাৰণ হৈছে অত্যধিক অপত্য স্নেহৰ অপপ্ৰয়োগ বা অপব্যৱহাৰ। সাজতোলাৰ নিচিনা গাৱঁৰ ভিতৰৰ গণ্য মান্য, সম্ভ্ৰান্ত মানুহ এজনে কিহৰ জগৰত হিন্দুস্থানী চাকৰৰ কিল-ভুকু গাত পাতি লৈছিল? চাপ্ৰাছীৰ লগত তৰ্ক-বিতৰ্ক লাগোতে সাতোলাই ঘনেপতি ইয়াকে মাথোন তাৰ মগজুত সুমুৱাবলৈ চেষ্টা কৰিছিল, "মোৰ নাম তোলন সাজতোলা বুলি কটা ভু পাৱ নে নাই? তোৰ চাহাবৰ মই বাপেক বুলি বঙালে জান নে নাই?" হাকিমৰ বাপেক বুলি চিনাকী দিবলৈ পাই সাতোলাই নিজক গৌৰৱান্বিত বুলি ভাবিছিল। হাকিমৰ বাপেক হবলৈ পায়ে সাতোলাই নিজৰ অপমান, অবমাননা, লাঞ্ছনা কাতি কৰি থবলৈ সক্ষম হৈছিল। ইফালে গুইন্ গুইন্ চাহাবে নিজক সাতোলাৰ পুতেক বুলি চিনাকী দিয়াকে অপৰিসীম দুৰ্ভাগ্য বুলি বিবেচনা কৰিছিল। সেই কাৰণে সাজতোলাৰ চকুত চকু লো দেখিও চাহাবে চাপ্ৰাছী লগাই তেওঁক বঙলাৰ পৰা বাহিৰ কৰি দিয়ালে। বাপেকৰ অসীম পুত্ৰস্নেহৰ অপব্যৱহাৰৰ লগত বৰ্ব্বৰ আৰু প্ৰাণহীন পুতেকৰ পশুবৎ অত্যাচাৰৰ এইখিনিতে খুন্দাখুন্দি লাগি ৰসৰ সৃষ্টি হৈছে। গুইন্ গুইন্ চাহাবক সকলো প্ৰকাৰে সন্তোষ দিবলৈ লৰাৰ পৰা বুঢ়ালৈকে সকলোৱেই চেষ্টা কৰিছিল। চাহাবৰ "ফাষ্ট্ ব্ৰেক্" কৰিবৰ কাৰণে বাঁহৰ কাটাচামোচ তৈয়াৰ কৰি দিয়া আৰু তেওঁৰ সন্মানত আঘাত দিবলৈ গৈ মহগুৱাল ভায়েকে শেহত চাপ্ৰাছীৰ ভুকু-কিল খাই নিজকে দোষী সাব্যস্ত কৰা কথাই অকল হাস্যৰসকেই সৃষ্টি কৰা নাই। ইয়াৰ মাজত অশিক্ষিত চহাৰ প্ৰতি বেজবৰুৱাদেৱৰ শ্ৰদ্ধা আৰু সুগভীৰ সহানুভূতিৰ সংযোগ আছে। হাঁহিয়াতৰ পাত্ৰ কৰিও বেজবৰুৱা ডাঙৰীয়াই এই শ্ৰেণীৰ লোকক, মানুহৰ ভিতৰত শ্ৰেষ্ঠ আসন দিছে। সাংসাৰিক অইন সকলো গুণতে দুখীয়া হলেও এওঁলোক মনুষ্যত্বত দৰিদ্ৰ নহয়। মনুষ্যত্বৰ বিকাশেই তেওঁলোকৰ দীনহীন জীৱন দুগুণে উজ্জ্বল কৰি তুলিছে। বেজবৰুৱা-সাহিত্যই সকলোৰে পৰা সমানভাৱে সমাদৰ পোৱা ইও এটি কাৰণ। বেজবৰুৱাদেৱে এদিন নিজেই আমাক কৈছিল যে অসমীয়াৰ হোজা চহা পৰ্য্যন্ত সকলোৰে ঘৰুৱা জীৱনৰ সামান্য এটি এটি ঘটনাৰ হুবহু চিত্ৰ সাহিত্যতে আঁকিব পৰাৰ কাৰণে তেওঁৰ ৰচনাই আজি অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে সকলোকে সন্তোষ দিব

(১) "A comic character is generally comic in proportion to his ignorance of himself. The comic person is unconscious".—Bergson.

পাৰিছে। সেই কাৰণে তেওঁৰ ৰচনা পঢ়ি "হা ইগলা দেখুন্ আমাৰ ঘৰৰ কথাকে লিখছে, পঢ়চুন্ কিনু লিখ্ছে শুনু" বুলি লৰাৰ পৰা বুঢ়ালৈকে সকলোৱে বাগৰি বাগৰি হাঁহিবলৈ ধৰে, দোষ-গুণ খুচৰি উলিয়ায়ো বেজবৰুৱাই মানুহক হেয়, অৱজ্ঞা বা ঘৃণাৰ চকুৰে চোৱা নাই, বিহুৱে-সংক্ৰান্তিয়ে হাঁহি-ধেমালিৰ চোকা কলাখাৰেৰে অসমীয়াৰ মলিয়ন দেহ-মন ধুই-পখালি, বেজবৰুৱা দেৱে আমাৰ সমাজ আৰু গাওঁ পৱিত্ৰ আৰু নিকা কৰি থৈছে। অসমৰ পৰা আঁতৰত থাকিও অসমীয়াৰে সৈতে তেওঁৰ হৰিহৰ আত্মা; সন্ধিয়া জুহালৰ গুৰিত বহি কানীয়াৰ লগত কানিৰ হোপা টানি কল কুঁহিয়াৰেৰে বেজবৰুৱাই আজিও মুখৰ তিতা মাৰিছে, মানুহৰ প্ৰতি অসীম দয়া আৰু সহানুভূতিত তেওঁৰ প্ৰাণ সদায় কান্দি উঠিছে। স্বভাৱগত দোষ গুণ, ভুল-ভ্ৰান্তি আৰু হাঁহি-বাঙ্গৰ আদি কাৰণ হৈও মানুহে তেওঁৰ সাহিত্যত শ্ৰেষ্ঠ আসন লভিছে। চণ্ডীদাসৰ দৰে বেজবৰুৱা-সাহিত্যয়ো অসমীয়াক কব লাগিছে —

"শুনহ মানুষ ভাই,
সবাৰ উপৰে মানুষ সত্য
তাহাৰ উপৰে নাই।"

Typical বা নিভাজ অসমীয়া নৰ-নাৰীৰ চৰিত্ৰই ঠাই পাইছে দেখি বেজবৰুৱা সাহিত্য আজি জাকত জিলিকা। তেওঁৰ ৰচনাত কল্পনাৰ বোল তাকৰ। তেওঁৰ সাহিত্যৰ নৰ-নাৰীৰ লগত অসমীয়া চৰিত্ৰ চকু মুদি বিজাব পাৰি। এজন বিখ্যাত লিখকে কৈ গৈছে যে শিল্পীয়ে যেনেকৈ এটি মূৰ্ত্তিৰ অনুকৰণত হুবহু অইন এটি মূৰ্ত্তি গঢ়ে, সেইদৰে সাহিত্যিকসকলেও বাস্তৱৰ চৰিত্ৰৰ আৰ্হিকে নিজৰ ৰচনাৰ চৰিত্ৰ অঙ্কন কৰে। বেজবৰুৱা সাহিত্যলৈ মন কৰিলে বোধকৰোঁ এই তথ্যৰ অকাট্য প্ৰমাণ পোৱা যায়। কিয়নো "Every comic character of his, is a type." সাহিত্যদৰ্পণ পুথিত অস্বাভাৱিক বাক্যৰ পৰাও হাস্যৰসৰ উদ্ভৱ হয় বুলি উল্লেখ কৰা হৈছে। শব্দ, যোজোনা, উপমাৰ অপ্ৰয়োগ আৰু লিখাৰ ধৰণ-কৰণ বা ৰচনা প্ৰণালীৰ ওপৰতে ই ঘাইকৈ নিৰ্ভৰ কৰে। ৰাজভগনৰ চৰ্চ্চাত 'কলথোকা বাদুলীয়ে খালে' বুলি কলে আমাৰ যেনেকৈ হাঁহি উঠে, সেইদৰে ভাব আৰু ভাষাৰ অসামঞ্জস্যতা লক্ষ্য কৰি মাজে সময়ে আমি হাঁহি সামৰিব নোৱাৰা হওঁহঁক। ভাষা আৰু সাহিত্যত সম্পূৰ্ণ ব্যুৎপত্তি নেথাকিলে এনে ধৰণৰ হাস্যৰস স্ৰজন কৰাত সফলতা লাভ কৰা টান। কিন্তু বেজবৰুৱা সাহিত্যৰ প্ৰতি বাক্যটিতেই হাস্যৰসৰ ফল্গুধাৰা লুকাই আছে। সেইখিনিতেই বেজবৰুৱাৰ সফলতা আৰু মহত্ত্ব বঢ়িয়াকৈ ফুটি ওলাইছে। অৱশ্যে কোনোৱে প্ৰশ্ন কৰিব পাৰে যে চৰিত্ৰ বিশ্লেষণ নকৰা বাক্য বা ভাষাৰ প্ৰয়োগত হাঁহি উঠিব কিয়? ভাষা বা বাক্যত জানো প্ৰাণ আছে? এই প্ৰশ্নৰ উত্তৰত আমি Bergsonঅৰ কথাৰে কওঁ যে, "Language only attains laughable results because it is a human product, modelled as exactly as possible on the forms of the human mind. We feel it contains some living element of our own life." শ্ৰদ্ধেয় বেজবৰুৱা ডাঙৰীয়াৰ "জীয়া ভাষাটো জীয়া পদাৰ্থ, মৰা শ বা জকা নহয়" বোলা কথাষাৰিয়েও এই তথ্যকেই প্ৰমাণ কৰিছে।

অসমীয়া ৰহস্যকবি শ্ৰীযুত ৰত্নকান্ত বৰকাকতীদেৱে এদিন কথা-প্ৰসঙ্গত আমাক কৈছিল যে বেজবৰুৱাদেৱৰ প্ৰায়বিলাক "হিউমাৰেই" Localised, আৰু সেই-কাৰণে হে বিশ্বসাহিত্যত সি ঠাই পোৱা নাই; অৰ্থাৎ অসম আৰু অসমীয়াৰ বাহিৰে তেওঁৰ "হিউমাৰ"ৰ সোৱাদ অইনে উপলব্ধি কৰিব নোৱাৰে। শ্ৰীযুত বৰকাকতী-দেৱৰ কথাৰ ওপৰত কথা কবলৈ আমাৰ বিদ্যা-বুদ্ধি নাই; কিন্তু তথাপিও একেষাৰ নকৈ নোৱাৰিলোঁ। "হিউমাৰ" জাতীয় সাহিত্যৰ সুকীয়া সম্পত্তি, কোনো সাহিত্যৰ "হিউমাৰ" সম্যক্‌ভাৱে বুজিবলৈ হলে সেই জাতিৰ লগত নিজক এক কৰিবলৈ সমৰ্থ হব

লাগিব (১)। ইয়াৰ অভাৱতেই ভালেমান সময়ত আমি গাতে লাগি থকা বঙালী ভাষাৰ "হিউমাৰ" বুজিব নোৱাৰি দোধোৰ মোৰত পৰো। এমেৰিকান সকলে কেতিয়াবা কেতিয়াবা ইংৰাজী লিখকসকলৰ "হিউমাৰ" বুজিব নোৱাৰি সাহিত্যিকসকলক দোষাৰোপ কৰে। আগেয়ে কৈ অহা হৈছে যে হাস্যৰসৰ লগত জীৱন আৰু তাৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ ওচৰ সম্বন্ধ। সেইবিলাকৰ লগত ঘনিষ্ঠতা নথকাৰ কাৰণে বিভিন্ন সাহিত্যৰ "হিউমাৰ" বুজা টান হৈ পৰে। এজন লিখকৰ কথাৰে কওঁ — "সাহিত্যত হাস্যৰস সৃষ্টি কৰা কঠিন, তাতোকৈ কঠিন সেই ৰস উপলব্ধি কৰা।"

বেজবৰুৱা-সাহিত্য এই হাস্যৰসেৰেই ভৰপূৰ। সাংসাৰিক জীৱনৰ দুখ-শোক তেওঁ হাঁহি আৰু আনন্দৰ সোঁতত উটাই দিছে। তেখেতে নিজেই এঠাইত লিখিছে—

"গা বীণ গা,
অমৃত সঙ্গীত
শুকানে মেলক কুঁহি।
প্ৰবাস-ভাগৰ
আঁতৰি পলাওক
মুখত ওলাওক হাঁহি।

বসন্তৰ মলয়াৰ বা লাগি ফুল-কলি প্ৰস্ফুটিত হোৱাৰ দৰে তেওঁৰ লিখনীৰ পৰশ পাই অসমীয়া সাহিত্যত হাস্যৰসৰ মন্দাকিনী বৈছে। এই মন্দাকিনীৰ হাঁহি খলকনিৰ ঢৌৱে অসমীয়া বুঢ়া বুঢ়ী, ডেকা-ডেকেৰী, লৰা-ছোৱালী সকলোৰে প্ৰাণ-মন বুৰাই আনন্দত "মাতোৱাৰা" কৰি তুলিছে। বেজবৰুৱা সাহিত্যত আদিৰ পৰা অন্তলৈকে হাস্যৰসৰ এটি অখণ্ড সুবিমল সোঁত বৰ লাগিছে। বেজবৰুৱাদেৱে অসমীয়া আৰু অসমীয়া জীৱনৰ য'তে হাত ফুৰাইছে, ত'তেই হাঁহিৰ উজ্জ্বল ৰেখা বিৰিঙি উঠিছে। ইংৰাজী সাহিত্যিকৰ কথাৰে কবলৈ গলে "He touched on nothing at least but he adored it." বেজবৰুৱা সাহিত্যৰ হাস্যৰসৰ যথোচিত আলোচনা কৰা আমাৰ সাধ্যাতীত; তেখেতৰ সাহিত্যৰ সমুদয় হাস্যৰস এটি প্ৰবন্ধত বিশ্লেষণ কৰি দেখুওৱা সাধাৰণৰ পক্ষে অসম্ভৱ।

হাঁহি আৰু আনন্দই আমাৰ জীৱন, ভাৰতীয় মনিষী-সকলে এই কাৰণে বোধকৰো সাহিত্যত সুখবাদৰ সৃষ্টি কৰি থৈ গৈছে। ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ শিশুলীলাৰ মাজেদি মৰ্ত্ত্যবাসীক এই ৰসসৌন্দৰ্য্যৰ আস্বাদ দিছে। মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ আদি কবিসকলে তেওঁলোকৰ অমৃতময়ী লিখনীৰে অসমীয়া সাহিত্যত এই অনুপম সৌন্দৰ্য্যৰ ৰহণ লগাই গৈছে। শঙ্কৰদেৱৰ "শিশুলীলা বৰ্ণনা," মাধৱ দেৱৰ "চোৰধৰা-পিপড়া গুছুৱা," শ্ৰীধৰ কন্দলিৰ "কাণখোৱা," ৰামসৰস্বতীৰ "ভীমচৰিত" পুথি এই বিষয়ে অসমীয়াৰ শ্ৰেষ্ঠ সম্পত্তি। চোৰধৰা পিপড়াগুছুৱা আৰু কাণখোৱাত শ্ৰীকৃষ্ণৰ শিশু-লীলাৰ এটি ধেমেলীয়া সুন্দৰ বৰ্ণনা আছে। চোৰধৰা-নাটকৰ কথাৰে শিশু কৃষ্ণই গোৱালিনীৰ ঘৰত সোমাই লৱণু চুৰকৈ খাওঁতে ধৰা পৰিল। গোৱালিনীহঁতে চোৰক শাস্তি দিবলৈ সাজু হল। কিন্তু কলিয়া কানাই শুৱাই এৰা ভকত নহয়। লৱণুচুৰি দেখি টপকৰে গোপিনী সকলৰ গাত দি কানায়ে মাত দিলে," আহে ঢাণ্ডী গোৱালী ৰ! হামাক কলঙ্ক দিয়ে তোহো সব কি এৰাইতে চাৱ। তোৰা সবক আজু মাৱক আগু নিয়া ভেটব। ..... আপনহি সবে দধি দুগ্ধ খাই হামাক কলঙ্ক দেসি, তোৰা সবক হামু ছাড়বো নাহি।" এই কঠালগুটীয়া লৰাটোৱে অপবাদ দিয়া শুনি বোৱাৰী জীয়াৰীৰ মুখ লাজত ৰঙা-চঙা পৰিল; শাহু-শহুৰে নো কথাটো শুনিলে কি বুলিব? উপাই নেপাই বেচেৰীহঁতে আতৌ-পুতৌ কৰি মুৰ-গাই হাত ফুৰাই, লৰাৰ হাতত লৱণু দি ঘৰলৈ পঠিয়াই দিলে। কিন্তু গোৱালিনীহঁতে যিহকে ভয় কৰিছিল সেয়ে ঘটিল। অঘাইত কানায়ে "মাৱক স্তনপান কয়ে, মাৱক

(১) "The comic expressed by a language could, if necessary, be translated from one language into another, though at the cost of losing the greater portion of its significance when introduced into a fresh society different in manners, in literature, and above all in association of ideas. But it is generally impossible to translate the comic created by language. It ows its entire being to structure of the sentences or to the choice of the words."—Bergson.

বদন নিৰেখি কান্দি গোপীক সব বৃত্তান্ত শুনাৱল।" পিপড়াগুছুৱা নাটতো এই কথাই প্ৰকাশ পাইছে। বলভদ্ৰৰ কনিষ্ঠ ভায়েকক লৱণুৰ কলসীত হাত ভৰাওঁতেই গোৱালিনীয়ে দেখা পাই চুৰি অপবাদেৰে ভূষিত কৰিলে। চতুৰ কানায়ে কিন্তু আসৈ মাতি কলে, "ওহি পিপীলিকা সব লৱণু নাশ কয়ল। ইহাক দূৰ কৰিতে হাত দিয়া আছি।.....তোহো বড়ি দাৰুণহৃদয়, আপোন জিহ্বা ৰাখিতে নপাৰি আপোন গৃহে লৱণু খাৱলি। অব ভাতাৰক ভয়ে হামাক অপযশ দেৱস।" পেন্দুকনা লৰাটিৰ গাত দোষ দি ঢাণ্ডী গোৱালিনীয়ে বাৰুকৈয়ে গিৰীয়েকৰ বাঘচকাৰ পৰা হাত সাৰিব খুজিছে।

ৰামসৰস্বতীৰ ভীমচৰিত পুথিৰো এইখিনিতে অলপ আভাস নিদিলে আমাক পক্ষপাতিতাৰ দোষে ছুব। মহেশৰ গৰখীয়া ভীম। কাৰ্ত্তিক গণেশ তেওঁৰ সহচৰ। তিনিওটিয়ে পথাৰত গৰু এৰি দি নিশ্চিন্তমনে বনৰ ফলমূল ভোজন কৰিছে। গৰুৱে ইফালে লোকৰ জেওৰা ভাঙি শস্যৰ ফালে আধা পেলালে। অতপালি কৰা গৰুটোক ভীমসেনে মৰিয়াই মৰিয়াই আধামৰা কৰি উলিয়াই আনিলে। ভীমৰ নিষ্ঠুৰ ব্যৱহাৰৰ কথা কাৰ্ত্তিক গণেশে ঘৰত লগাই দিম বুলি ভয় দেখুৱালে। কিন্তু চতুৰ ভীমসেনে সাউৎ-কৰে দুই ভায়েকক দোষৰ ভাগী কৰি ওচৰতে থকা বিশ্বামিত্ৰ মুনিক সাক্ষী বিচাৰিলে। মুনিয়ে কথাটো সমৰ্থন কৰিবলৈ থেৰোগেৰো কৰোতেই উলটি গৰু মৰা অপবাদটি ভীমে মুনিৰ গাতে পেলাই দিলে। কথা বিষম দেখি মুনিয়ে তৰানৰা ছিঙি ধাপলি মেলিলে। ভালেমান আঁতৰৰ পৰা মুনিয়ে মাথোন গৰখীয়া লৰাৰ এটি হাঁহিৰ ধ্বনি শুনিবলৈ পালে। ভীমচৰিত পুথিত আমি আজিকোপতি সেই আনন্দৰ ধ্বনি শুনিবলৈ পাওঁহঁক। এনে ধৰণৰ অসমীয়া বৈষ্ণৱ কবিসকলৰ লিখনীৰ প্ৰতি শাৰীতেই পূৰ্ণ আনন্দৰ এটি অফুৰন্ত ৰসৰ নিজৰা বৰ লাগিছে। এই ৰসামৃত পান কৰি শোক-তাপ পাহৰি অসমীয়া নৰ নাৰীয়ে আজি ভক্তি আৰু আনন্দত আপ্লুত হৈ চকুলো টুকিছে। মানৱৰ শত জনমৰ যাগযজ্ঞৰ আশা-আকাঙ্খাৰ আৰাধ্য দেৱতা আজি আমাৰ ঘৰৰ গৰখীয়া; অৱশ্যে গৰুৰখীয়া বুলিলে ভুল হব; যথাৰ্থতে মানুহৰূপী গৰুৰহে তেওঁ গৰখীয়া। মানৱৰ সুখ-সন্তোষৰ নিমিত্তে পৰম পুৰুষে শোক-তাপ, ভয়-ভাবনাৰ গধুৰ বোজাটি লৈ সকলোৰে লগত উমলি ফুৰিছে, কেতিয়াবা কেতিয়াবা আৰু নিজৰ দুখৰ কথা ব্যক্ত কৰি বেজাৰৰ দীঘল উশাহ টানিছে।—

"গৰু আগুৰন্তে ধাতু যায় মোৰ
কণ্টকী বনৰ সন্ধি।
চৌপৰ দিনতো লৰৰিয়া ফুৰো
নটুৱা টনাক পিন্ধি॥
কুটুকুৰা চুলি পৰে গৰু ধূলি
কুকুহা পৰিয়া যায়।
গুটা গুটী কৰি জটা বান্ধিলেক
তৈলে মাথা দেখা নাই।"

চিৰসত্য পৰম ব্ৰহ্মৰ এই সীমাহীন পূৰ্ণ সৌন্দৰ্য্যৰ অনুপম ৰূপ নিৰিখি আৰু মৌ-বৰষা মাত শুনি অসমীয়াৰ প্ৰাণ হৰ্ষত পুলকিত হৈছে। বৈষ্ণৱ কবিৰ গীতৰ সুৰত সুৰ মিলাই অসমীয়াযো গাইছে—

"জনম অবধি হম ৰূপ নেহাৰনু
নয়না না তিৰপিত ভেল।
সোই মধুৰ বোলে শ্ৰৱণহি শুনলু।
শ্ৰুতি পথে পৰশ না গেল॥"

কুৰি শতিকাৰ বৈজ্ঞানিক সকলে প্ৰমাণ কৰিছে যে হাঁহিয়ে আয়ু দীঘল কৰে। কিন্তু অকল ব্যক্তিবিশেষৰ আয়ুসৰ কথা কলে ভুল হব। কিয়নো হাঁহি জাতিৰ প্ৰাণ। যি জাতিৰ মুখত হাঁহি আছে, সেই জাতিয়ে অকাতৰে দেশৰ নিমিত্তে ক্ষুদ্ৰস্বাৰ্থ ত্যাগ কৰি জাতীয় যজ্ঞত জীৱন আহুতি দিব পাৰিছে। মুখৰ হাঁহিৰে সৈতে মৃত্যুক বৰণ কৰিব পৰাৰ কাৰণেই ভালেমান নৰহন্তা আজি অমৰ। অশেষ ভাগ্যবিপৰ্য্যয়ৰ মাজতো হাঁহি আৰু আনন্দই জাতিক নতুন শক্তি দি জীয়াই ৰাখে।

সামৰণিত কওঁ যে Literature of a nation is the reflcetion of the national mind। বেজবৰুৱাৰ হাস্যৰসে অসমীয়া সাহিত্যক এটি স্বাভাৱিক গঢ় দি তাৰ সহায়েৰে মুকলিমূৰীয়া আৰু হাঁহিমুখীয়া অসমীয়াক জগতৰ লগত চিনাকি কৰি দিছে। তেখেতৰ সাহিত্যই অসমীয়া জাতিক নতুন জীৱনীশক্তি দি চিৰদিন জীয়াই ৰাখিব। *

"ফ্ৰাইট্-ফ্ৰোট্-ফ্ৰৌৰ্ট! ফ্ৰাইট-ফ্ৰোট্ ফ্ৰৌৰ্ট!"

* প্ৰবন্ধলিখকে বেজবৰুৱা সমিতিৰ গ্ৰন্থাগাৰৰ পৰা যথেষ্ট সহায় পাইছে।

অসমৰত্ন মহামহোপাধ্যায় ৺ধীৰেশ্বৰাচাৰ্য্য

—শ্ৰীযুত দেবেন্দ্ৰনাথ ভট্টাচাৰ্য্য, বি-এছ্ছি

মহাপুৰুষ পণ্ডিতপ্ৰবৰ মহামহোপাধ্যায় ৺ধীৰেশ্বৰ আচাৰ্য্য কবিৰত্ন দেৱ ঢুকাবৰ আজি কেইবাবছৰো হ'ল। ধীৰেশ্বৰাচাৰ্য্য অসমৰ এটি উজ্জ্বল ৰত্ন আছিল। তেওঁৰ ঠাই অসমত আজিও পূৰ হোৱা নাই আৰু কেতিয়াবা যে হব, তাৰো আশা বৰ কম। স্বৰ্গীয় পণ্ডিতৰ গুণ আৰু পাণ্ডিত্যৰ প্ৰভাৱ অকল অসমত নহয়, ভাৰততো নানা ঠাইত বিয়পি পৰিছিল আৰু সেই প্ৰভাৱ আকৌ দুগুণ তেজেৰে জ্বলি উঠিব, যেতিয়া তেওঁৰ ৰহস্যময়ী কবিত্বশালিনী 'বৃত্তমঞ্জৰী'য়ে কাব্যজগতৰ সাহিত্য ভড়াল চহকী কৰিব। এতিয়ালৈকে প্ৰত্যেক অসমবাসীয়ে জানে যে তেখেত এজন শক্তিশালী সংস্কৃতজ্ঞ বক্তা আছিল।

আচাৰ্য্যদেৱৰ ছাত্ৰাৱস্থা বৰ ৰহস্যপূৰ্ণ। তেওঁ কোনো এখন টোলতেই স্থায়ীভাৱে থাকি পঢ়া-শুনা কৰিব পৰা নাই। বহু বাধাবিপত্তি অতিক্ৰম কৰি তেওঁ কোনোমতে 'ৰত্নমালা' ব্যাকৰণৰ জটিল সূত্ৰ-বিলাকৰ নিগূঢ় তত্ত্বৰ কিছু সম্ভেদ লয়। কামৰূপত পঢ়া-শুনাৰ অধ্যাপনাত সন্তুষ্ট নহৈ কোঁচবিহাৰলৈ গৈ খাগৰাবাৰীৰ ৺সিদ্ধনাথ বিদ্যাবাগীশ মহাশয়ৰ টোলত কিছুদিন পঢ়িছিল। তাতো নৰিয়াত পৰি নানা দুখকষ্ট ভুগি ঘৰলৈ উভতি আহে আৰু ঘৰত কিছুদিন থাকি আৰোগ্য হোৱাৰ পিছত পৰিণয়-সূত্ৰত আবদ্ধ হয়। গতিকে পঢ়া-শুনা ভালদৰে হোৱাৰ আগতে জীৱিকা নিৰ্ব্বাহত লাগিব লগীয়া হ'ল। এই উদ্দেশ্যে তেওঁ কিছুদিন উত্তৰ গুৱাহাটীত থাকি তাৰ পাছত নগাওঁলৈ গুচি যায়। নগাৱঁতেই তেখেতৰ দৈৱিক শক্তি বিকাশৰ সূত্ৰপাত হয়।

এই হেন কলিকালত যে কালিদাসৰ নিচিনা দৈৱ বলত বিদ্যানিধি লাভ কৰিব পাৰি তাক কোনে বিশ্বাস কৰিব? মহাকবি কালিদাসে তপস্যা কৰিও সৰস্বতী আইৰ দৰ্শন নাপাই বিদ্যাহীন জীৱন কীটাদপি ঘৃণনীয় ভাবি আত্মহত্যা কৰিবলৈ ওলোৱাত হে সৰস্বতী আইৰ বৰ লাভ কৰিছিল, কিন্তু পণ্ডিত ধীৰেশ্বৰ আচাৰ্য্যই স্বপ্নাদেশত সৰস্বতী দেৱীৰ কৃপা লভিছিল। নগাৱঁত থাকোঁতে এদিনাখন ৰাতি টোপনিত তেওঁ সপোন দেখিলে যে বিৰাট পুৰুষ এজন তেওঁৰ মূৰশিতানত থিয় দিছেহি। সেই মহাপুৰুষৰ মূৰত দীৰ্ঘজট, কঁকালত বাঘৰ ছাল আৰু গাত যজ্ঞসূত্ৰৰে সৈতে দীঘল উত্তৰীয়,



মহামহোপাধ্যায় ৺ ধীৰেশ্বৰাচাৰ্য্য

হাতত কমণ্ডলু আৰু ত্ৰিশূল, ভৰিত খৰম। এনেহেন বিৰাট মহাপুৰুষৰ দৰ্শনত আচাৰ্য্যদেৱ কঁপিবলৈ ধৰিলে—একোকে মাতিব নোৱাৰিলে। মহাপুৰুষে পণ্ডিতক ভীত হোৱা যেন দেখি মৰমসনা মাতেৰে মাত লগালে "বোপা! তই ৰত্নমালা পঢ়ি ভাল পাইছ নে?" মহাপুৰুষৰ আদৰুৱা মৰমসনা মাত শুনি পণ্ডিতৰ ভয়

কেনিবা গ'ল—ভ'ক্তয়ে ভয়ৰ ঠাই অধিকাৰ কৰিলে। আচাৰ্য্যদেৱে ততাতৈয়াকৈ বিছনাৰ পৰা নামি ভকিত দীঘল দি দণ্ডবৎ হৈ প্ৰণাম কৰিলে আৰু অতি নম্ৰভাৱে উত্তৰ দিলে "ৰত্নমালাত মই সুখ পোৱা নাই"। পণ্ডিতৰ উত্তৰ শুনি মহাপুৰুষে আন একো কথা নকৈ 'মোৰ লগত আহ' বুলি তেওঁক অনুসৰণ কৰি লৈ চলে। পণ্ডিতপ্ৰৱৰ যেন সেই দিব্যপুৰুষৰ লগে লগে গৈ আছে—কত হাবিবননি পাৰ হৈছে তাৰ সীমা সংখ্যা নাই। মত্তমুগ্ধ সাপৰ নিচিনা পাছে পাছে গৈ আছে। গৈ গৈ এখন সমুদ্ৰৰ পাৰত থিয় দিলে। এই সমুদ্ৰৰ চৌৰূপতি গছৰ পাতৰ নিচিনা অসংখ্য পুথিৰ পাত আধা বুৰ গৈ আধা মুৰ উলিয়াই ভাহি ফুৰিছে। মহাপুৰুষে আচাৰ্য্যদেৱক কলে "বা, তাৰ পৰা যিমান পাৰ পুথিৰ পাত গোটাই আন।" আচাৰ্য্যদেৱে যথাদিষ্ট হৈ কেইটিমান পুথিৰ পাত গোটাই আনি সেই মহাপুৰুষৰ হাতত দিলে। মহাপুৰুষে পাত কেইটি হাতত লৈ এটি-এটিকৈ চিঞ্জস কৰি হাঁহি মাৰি কলে—"তই বৰ ভাগৰান্। তই পাণিনি ব্যাকৰণ গোটাই আনিছ"। এই বুলি তাৰে শ্লোক এটি পণ্ডিতক বুজাব ধৰিলে, কিন্তু পণ্ডিতে একোকে বুজি নাপায়—তেতিয়া মহা পুৰুষে 'কিয় বুজি নাপায়' বুলি মুখতে ত্ৰিশূল পাতেৰে এটা কোব মাৰি দিলে।

পণ্ডিতপ্ৰৱৰে সাৰ পালে আৰু শিয়ৰি উঠিল। তেওঁ মুখত দুখ পোৱা যেন পালে আৰু এঠাইত যেন দ' হৈ গৈছে, এনে বোধ হল। তেওঁৰ মৰম সময়লৈকে এই ঠাইডোখৰ কথা-প্ৰসঙ্গত মানুহক দেখুৱাইছিল।

সপোনৰ কথা ভাবি পণ্ডিত বিস্ময় আৰু আনন্দত পুলকিত হ'ল। ৰাতি তেতিয়া প্ৰায় শেষ; আৰু টোপনি নগল। ৪ঘ মান বজাত উঠি নৈলৈ গা ধুবলৈ গ'ল। গাধুই সন্ধ্যাহ্নিক কৰ ফিৰি আহোঁতে ৬ কি ৬ঘ মান বাজিছে। বাটত এজন বঙালী ভদ্ৰলোকৰ লগত তেওঁৰ দেখা হয়। বঙালী ভদ্ৰলোকজনে পণ্ডিতক দেখি প্ৰাতঃ প্ৰণাম জনাই তেখেতৰ নামধাম সুধিলে। আচাৰ্য্যদেৱে প্ৰশ্ন যথাযথ উত্তৰ দি যাবলৈ খোজোঁতে ভদ্ৰলোকজনে প্ৰশ্ন কৰিলে "আপুনি কি ব্যাকৰণ পঢ়িছে?" দেৱে উত্তৰ দিলে "প্ৰয়োগ ৰত্নমালা।" ভদ্ৰলোকজনে কলে "আপোনালোকৰ ইয়াত পাণিনি ব্যাকৰণৰ প্ৰচলন নাই নেকি?" আচাৰ্য্যদেৱ চক্‌ খাই উঠিল। সপোনত পাণিনি—বিঠকত পাণিনি। পণ্ডিতে এইখিনিতে অলপ বুধি খটাই কলে "মহাশয়! মোৰ পাণিনি ব্যাকৰণ পঢ়িৰ বৰ মন গৈছে; মোক এখন পুথি অনাই দিব নোৱাৰে নে?" সেই ভদ্ৰলোকজনে বোষাইৰ পৰা এখন পাণিনি ব্যাকৰণ অনাই দেৱক দিয়ে। সেইখন পুথি লৈ আহি আচাৰ্য্যদেৱে আহৌ উত্তৰ ওৱাহাটীলৈ উভতি আহি টোল পাতে আৰু নিজে নিজে পাণিনি ব্যাকৰণ পঢ়ে। কোনো সূত্ৰ তেওঁ মুখুৱাকৈ থকা নাছিল, কোনো সূত্ৰৰ অৰ্থ তেওঁ কাৰো সুধিব লগাও হোৱা নাছিল। কিছুদিনৰ ভিতৰত তেওঁ পাণিনি ব্যাকৰণত অগাধ পণ্ডিত হ'ল।

পাণিনি ব্যাকৰণৰ পাণ্ডিত্যৰ বলত আচাৰ্য্যদেৱৰ সকলো শাস্ত্ৰতে অধিকাৰ জন্মিছিল। তেওঁ সদায় কৈছিল পাণিনিব্যাকৰণ পঢ়িলে মানুহৰ ন্যায় দৰ্শন আদি সকলো শাস্ত্ৰতে অধিকাৰ জন্মে। তাৰ প্ৰমাণৰ বাবে দুবৰৈ বিচাৰি যাব নালাগে। আচাৰ্য্যদেৱেই তেওঁৰ উক্তিৰ প্ৰমাণ। এসময়ত আচাৰ্য্যদেৱ তেওঁৰ জ্ঞাতিভাই আৰু অন্তৰঙ্গ বন্ধু ৺শ্ৰীযুত নাৰায়ণ চন্দ্ৰ ভট্টাচাৰ্য্য আৰু ৰায় বাহাদুৰ শ্ৰীযুত কালী চৰণ সেন ধৰ্ম্মভূষণ মহাশয়ৰ লগত তীৰ্থ ভ্ৰমণলৈ ওলায়। তীৰ্থস্থানত তীৰ্থ সম্বন্ধীয় ধৰ্ম্মকাৰ্য্য সকল কৰৰ লগে লগে তেওঁৰ প্ৰখৰ উদ্ভাৱিত বিদেশৰ প্ৰখ্যাত পণ্ডিত সকলৰ সাক্ষাৎ দৰ্শন। আচাৰ্য্যদেৱৰ ৰ'লৈকে গৈছিল তাতেই প্ৰসিদ্ধ পণ্ডিত সকলৰ লগত শাস্ত্ৰালোচনা নকৰাকৈ ঘুমুৱা নাছিল। তীৰ্থ ভ্ৰমণত আচাৰ্য্যদেৱৰ জ্ঞানাৰ্জ্জন আৰু জ্ঞানবিতাৰ উভয় কাৰ্য্যই সিদ্ধ হৈছিল।

নানা তীৰ্থ ভ্ৰমণ কৰি প্ৰয়াগলৈ আহি আচাৰ্য্যদেৱে শুনিবলৈ পালে যে তাত এজন অতি প্ৰাচীন আৰু সৰ্ব্বশাস্ত্ৰবিশাৰদ পণ্ডিত আছে। তাকে শুনি তীৰ্থ-কৃত্য শেষ কৰি তেওঁৰ সহযাত্ৰী বন্ধুবৰৰ সৈতে পণ্ডিতৰ



'অন্তিমত'

শিল্পী—শ্ৰীযামিনী ৰায়।

লক্ষ্মীবিলাস প্ৰেচ, লিমিটেড।

ঘৰলৈ যায়। উক্ত পণ্ডিতৰ ঘৰ দেখিয়েই বুজিব পাৰিলে যে এওঁ যেই সেই পণ্ডিত নহয়। এওঁ থাকে অট্টালিকাত, দ্বাৰত থাকে দৰোৱান। ভিতৰত টোল-গৃহ—ছাত্ৰ আছে প্ৰায় ২৫জনমান। ছাত্ৰসকলৰ বয়স ২৫ ২৬ বছৰৰ কম নহয়। ৪০ বছৰ বয়স হোৱা ছাত্ৰও হেনো তাত আছিল। দৰোৱানত সুধি ভিতৰ সোমাই ছাত্ৰ সকলক যথাযথ নমস্কাৰ জনাই আচাৰ্য্য-দেৱে উপাধ্যায়ৰ কথা সংস্কৃতত সোধে। ছাত্ৰ সকলে স্নানৰ বাবে সৰযূলৈ যোৱা বুলি কলে। সৰযূত এবুক পানীত নামি হেনো সেই পণ্ডিতে বহুত সময়লৈকে জপ কৰি থাকে। উপাধ্যায় স্নান-সন্ধ্যা আদি কৰি ঘূৰি অহাত পলম হব জানি ৰায় বাহাদুৰ শ্ৰীযুত কালীচৰণ সেন ডাঙৰীয়া বাহালৈ উভতি আহিল। আচাৰ্য্যদেৱ আৰু ৺নাৰায়ণ চন্দ্ৰ ভট্টাচাৰ্য্য মহোদয়ে উপাধ্যায়ক অপেক্ষা কৰি ছাত্ৰ সকলৰ লগত শাস্ত্ৰ আলোচনাত ৰত হ'ল। চাওঁতে চাওঁতে পাণিনি সূত্ৰ এটিৰ ব্যাখ্যা লৈ উভয় পক্ষৰ ঘোৰতৰ তৰ্কযুদ্ধ আৰম্ভ হ'ল। তাৰ মাজতে ছাত্ৰ সকলে আচাৰ্য্যদেৱক ক'ৰ পৰা আহিছে, কিয় আহিছে আৰু তেখেতে কি ব্যাকৰণ পঢ়িছে ইত্যাদি কথা সুধিছিল। আচাৰ্য্যদেৱে যদিও ৰত্নমালা ব্যাকৰণ ভাল নাপাইছিল তথাপি ৰত্নমালাৰ পণ্ডিত বুলিহে গৰ্ব্ব অনুভৱ কৰিছিল। ৰত্নমালাৰ নাম শুনি ছাত্ৰসকলে হাঁহি মাৰি উঠিল আৰু আটাই বিলাকে "কঃ কবিঃ—কঃ কবিঃ" বুলি সমস্বৰে সুধিব ধৰিলে। আমাৰ আচাৰ্য্যদেৱ কোনো তৰ্কতে ধৈৰ্য্য হেৰোৱা বিধৰ মানুহ নাছিল। তেখেতে ৰত্নমালা ব্যাকৰণ যে অতি সৰলভাৱে ডাঙৰ পণ্ডিতৰ দ্বাৰা ৰচিত, এই বিষয়ে ছাত্ৰ সকলৰ কোনো জ্ঞান নথকা বাবে তেওঁবিলাকৰ প্ৰতি বিস্ময় প্ৰকাশ কৰিছিল; আৰু ৰত্নমালা পঢ়িও যে অধ্যৱসায় আৰু যত্নৰ ফলত পাণিনিত প্ৰবেশ কৰিব পাৰি সেই বিষয়ে তেওঁবিলাকক বুজাই কৈ সেই সূত্ৰটিৰ ব্যাখ্যা এনে প্ৰাঞ্জলভাৱে সংস্কৃত ভাষাৰে বুজাই দিছিল যে সূত্ৰৰ ব্যাখ্যা ছাত্ৰসকলে স্বীকাৰ নকৰিলেও আচাৰ্য্যদেৱৰ সংস্কৃতত ইমান প্ৰাঞ্জলভাৱে কব পৰা শক্তি দেখি সকলো বিলাকে আচৰিত মানিছিল। তেতিয়াও তৰ্কৰ কোনো সিদ্ধান্ত নহল। এনেতে প্ৰায় ২ কি ২॥ মান বজাৰ সময়ত উপাধ্যায় সৰযূৰ পৰা স্নানাহ্নিক শেষ কৰি ঘূৰি আহিল। ঘূৰি আহিলত থিয়ৈ থিয়ৈ ছাত্ৰ সকলে কামৰূপৰ পণ্ডিতৰ পৰিচয় দি সূত্ৰৰ ব্যাখ্যাৰ মীমাংসা কৰিবলৈ উপাধ্যায়ক মধ্যস্থ কৰিলে। উপাধ্যায়ক মধ্যস্থ কৰাত আচাৰ্য্যদেৱ বৰ সন্তুষ্ট হ'ল। তেওঁবিলাকৰ ভিতৰৰে এজন ওঝা ছাত্ৰই দুয়োপক্ষৰ তৰ্কযুক্তিখিনি উপাধ্যায়ৰ ওচৰত ভালদৰে উত্থাপিত কৰিছিল। উপাধ্যায়ে আদ্ ঘণ্টামান তলমূৰকৈ থাকি অৱশেষত কলে "বাবাসকল! তোমালোকৰ ভুল হৈছে, এই পণ্ডিতৰ হে ঠিক হৈছে। এওঁ যেই সেই পণ্ডিত বুলি মোৰ মনে নধৰে।" এই বুলি কোৱাত আটাই বিলাক শিক্ষক দেউৰ ভৰিত দীঘল দি পৰিল। কিন্তু দেৱে অতি নম্ৰভাৱে তেওঁবিলাকক কলে, "মই শিক্ষাৰ্থীভাৱেহে ইয়ালৈ আহিছোঁ, মই মোৰ কোনো গৌৰৱ কৰিবলৈ বা বিজয়ডঙ্কা বজাবলৈ অহা নাই।" তেতিয়া উপাধ্যায়ে আচাৰ্য্যদেৱক তেওঁৰ গোসাঁই ঘৰলৈ লৈ গ'ল। তাত ৺নাৰায়ণ চন্দ্ৰ ভট্টাচাৰ্য্য আৰু আচাৰ্য্যদেৱক উপযুক্ত আসনপাতি দি পূজাহ্নিক শেষ কৰি দেৱতাৰ প্ৰসাদেৰে অতিথি অভ্যৰ্থনা আৰু জলযোগ কৰাই শাস্ত্ৰালোচনা আৰম্ভ কৰিলে। শাস্ত্ৰালোচনাত উপাধ্যায় আচাৰ্য্যদেৱৰ প্ৰতি ইমান সন্তুষ্ট হৈছিল যে তেখেতক এটি উপাধিৰে ভূষিত কৰিব খুজিছিল; কিন্তু আচাৰ্য্যদেৱে উপাধিৰে বিমণ্ডিত হৈ পাণ্ডিত্যৰ বিজ্ঞাপন জাহিৰৰ পক্ষপাতী নাছিল; গতিকে সেই উপাধি তেওঁ অতি বিনীতভাৱে প্ৰত্যাখ্যান কৰিলে। অযোধ্যাবাসী পণ্ডিতে আচাৰ্য্যদেৱৰ সংস্কৃতত কব পাৰা শক্তি দেখি হেনো সুধিছিল সংস্কৃত কামৰূপৰ মাতৃভাষা নেকি? আচাৰ্য্যদেৱে উত্তৰত কৈছিল, "সংস্কৃত কামৰূপৰ মাতৃভাষা নহয়, কিন্তু মোৰ নিচিনা নগণ্য পণ্ডিত কামৰূপত বহুত আছে আৰু মোতকৈ জনা পণ্ডিতৰ সংখ্যাও অনেক।" প্ৰয়াগৰ পৰা আচাৰ্য্যদেৱ পুৰালৈ তীৰ্থ ভ্ৰমণত গৈছিল তাতো হেনো তিনিজন

ভাৰত পণ্ডিতৰ লগত আচার্য্যদেৱৰ সাক্ষাৎ হয় আৰু নানা তর্কালোচনা হয়। সেই তিনিজন পণ্ডিতৰ ভিতৰত এজন ষড়্দর্শনৰ, এজনৰ ন্যায়ৰ আৰু এজন ব্যাকৰণৰ পণ্ডিত। আচার্য্যদেৱে অকল পাণিনিৰ বলতে ষড়্দর্শন আৰু ন্যায়ৰ প্রশ্নৰ উত্তৰ দি পণ্ডিত কেইজনক মুগ্ধ কৰিছিল। বাটত আহোঁতে হোনো ৺নাৰায়ণ চন্দ্র ভট্টাচার্য্যক কৈছিল "ধলৈ! মই যে ষড়্দর্শন আৰু ন্যায় নপঢ়াকৈ কেনেকৈ প্রশ্নৰ উত্তৰ কৰিলোঁ মই নিজেই চোন একোকে কৰ নোৱাৰোঁ।" মহামহোপাধ্যায় ধীৰেশ্বৰ আচার্য্যৰ জিহ্বাগ্রত সৰস্বতী বাং কৈছিল বুলি ৺নাৰায়ণ চন্দ্র ভট্টাচার্য্যই সদায় মানুহক আগত কৈছিল। এই প্রবন্ধৰ সপোনটো লিখকে মহামহোপাধ্যায়ৰ নিজ মুখৰ পৰা আৰু তীর্থভ্রমণৰ কথাখিনি লিখকৰ (নিজ পিতামহৰ কনিষ্ঠ ভাই ৺নাৰায়ণ চন্দ্র ভট্টাচার্য্য) "ধলৈ আতা"ৰ মুখৰ পৰা শুনিছিল।

উগুল্‌থুগুল্‌

কবিতা— —শ্রীযুত লক্ষ্মীনাথ ফুকন

সন্ধিয়া বেলিকা মই ঘৰলই উলটি আহিলে
এনে হেন লাগে,
তুমি আছি মনে মনে কাঁৱবাত লুকাই আছাঁহি
মোৰ আগে আগে।

কিজানিবা গাঁথিছাঁহি মালাধাৰি বকুল ফুলেৰে
লই সুতাডালি,
গাথোঁ নে নেগাথোঁকই কিজানিবা ফুলবোৰ মেলি
পাতিছা খেমালি।

ৰাতিৰে-ভিতৰে মই তোমাকেই বিচাৰি ফুৰোঁহি
পাওঁ বুলি দেখা;
আন্ধাৰে মেলিলে পাহি ধীৰে ধীৰে হয় অন্তৰ্ধান
পোহৰৰ ৰেখা।

একাষত পৰি থকা ভগা মোৰ বীণখনি তুলি
বাৰে বাৰে চাওঁ,
কিজানিবা তুমি তাতে দিছিলাঁহি অকণি পৰশ
উমান নেপাওঁ।

চাকিটি জ্বলাওঁ বুলি কত কি যে ওগাগথা কৰোঁ
উবাদিগ নাই,
ভয় হয় পিছে তুমি পোহৰত ধৰা পৰোঁ বুলি
আঁতৰা পলাহ।

মহিলা জগত



মিচ ডেলাচ চৌধুৰী
(বিলাতত আইন পঢ়া
অসমীয়া ছোৱালী)



পেটাছ ফিল্ডত হোৱা 'Sun Bathing Society'ৰ ৰঙচকীয়া বং ধেমালিত এই তিব্বতী কেইগৰাকী তিৰোতাৰ ১০০ গজ লৰৰ প্রতিযোগিণী।



বিলাতৰ বিখ্যাত নাছৰী তিৰোতা

আমাৰ জাতীয় চৈতন্য

—শ্ৰীযুত হৰেন্দ্ৰনাথ শৰ্ম্মা, বি-এ

জাতীয় জীৱনৰ পূৰ্ণবিকাশৰ বাবে এফালে ৰাজনীতিৰ মুক্ত বায়ুৰ তলত দেশৰ আৰ্থিক আৰু সামাজিক উন্নতি যেনে আৱশ্যক, আনফালে তেনেকৈ দেশবাসীসকলৰ উদাৰ মনোভাৱৰ ক্ৰমবিকাশ আৰু ভাষা-সাহিত্যৰ উৎকৰ্ষ সাধন, এক কথাৰে কবলৈ গলে, জাতিৰ কৃষ্টিগত পৰিপুষ্টি প্ৰয়োজনীয়। জাতিৰ সকলো উৎকৰ্ষ, জাতীয়তাৰ পৰিব্যাপ্তি ঘাইকৈ এই কৃষ্টিৰ ওপৰতে নিৰ্ভৰ কৰে আৰু এই ভেটিৰ ওপৰত থিয় হৈহে জাতিয়ে ক্ৰমোন্নতিৰ বাটত আগ বাঢ়িব পাৰে। যি জাতিৰ মাজত জাতীয়তাভাৱ এতিয়াও সুপ্ৰতিষ্ঠিত হোৱা নাই, সেই জাতিয়ে বাহিৰৰ পৰা, আগুৱাই উন্নততৰ অৱস্থালৈ যোৱা যেন দেখিলেও সি প্ৰকৃততে কৃত্ৰিমতাৰ ৰং চৰোৱা অৱস্থা আৰু এই ধৰণৰ উন্নতিয়ে কেতিয়াও সেই জাতিৰ ভবিষ্যত মঙ্গল সূচনা নকৰি বৰং অশুভৰ পিনেহে আঙুলিয়ায়। প্ৰকৃত কথাত জাতীয় চেতনা যাক বোলা হয়, এই চেতনা কোনো ৰাগীৰ দৰে ক্ষণস্থায়ী উত্তেজনা নহয়, ই মানুহৰ মনৰ চিৰকলীয়া উদ্দীপনা। গতিকে যি জাতিৰ মাজত এই চেতনা আহিছে, সেই জাতিৰ প্ৰত্যেকে নিজক সদায় অন্তৰে বাহিৰে সেই জাতিৰে এটি আৱশ্যকীয় অংশ বুলি ভাবি লৈছে, ঘৰে-পৰে সেই একেটি ভাবেই প্ৰত্যেকৰ মন অধিকাৰ কৰিছে, আৰু প্ৰত্যেকৰ দৈনন্দিন কাৰ্য্যাৱলীত সেই ভাবৰ আভাস ফুটি উঠিছে। জাতিৰ মাজত এবাৰ এই চেতনাৰ প্ৰেৰণা আহিলে তাক বিশ্বব্ৰহ্মাণ্ডৰ কোনো শক্তিয়ে বাধা দি দমাই ৰাখিব নোৱাৰে, আৰু সেই জাতিৰ উন্নতি তেতিয়া সুনিশ্চিত হয়। এয়ে জাতীয় জাগৰণ। ১৯০৫ চনৰ ১লা জানুৱাৰীত জাপানৰ হাতত ৰুছিয়াৰ পৰাজয়ে এছিয়াত এই জাগৰণৰ সূচনা কৰে, তাৰ চিন তুৰ্কী, পাৰস্য আৰু ভাৰতবৰ্ষ। ১৯০৫ চনৰ ভাৰতৰ স্বদেশী আন্দোলন সেই জাগৰণৰে ফল, আৰু সেই জাগৰণ আজি ভাৰতৰ পয়ত্ৰিশ কোটী নৰনাৰীক জাতীয় প্ৰেৰণাৰে উদ্বুদ্ধ কৰি তুলিছে। এই চেতনাৰ ক্ষমতাত আজি সমগ্ৰ পৃথিৱী কঁপি উঠিছে। জাতীয় উৎকৰ্ষৰ বাবে এই চেতনাৰ আৱশ্যক। আজি অসমেও ভাৰতৰ একোণত থাকিও সেই চেতনাত নাচি উঠিছে।

অসমৰ পক্ষে ই অতি শুভ লক্ষণ, সন্দেহ নাই। প্ৰত্যেক ভাৰতবাসীয়ে ভাৰতক মহাজাতি স্বৰূপে বিশ্বসভাত সম্মানিত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰা সকলো প্ৰকাৰে বাঞ্ছনীয়। কিন্তু লগতে এই কথাষাৰ পাহৰি যাব নালাগে যে ভাৰতৰ ভিতৰত আমাৰ অসমো এখন প্ৰকৃত অৰ্থত দেশ, আৰু ভাৰতৰ জাতীয় জীৱনত অসমে নিজৰ এই সুকীয়া অস্তিত্ব ৰক্ষা কৰিব লাগিব, তেহে ভাৰতবাসীৰো জাতিগত উদ্দেশ্য সফল হব আৰু অসমেও নিজৰ জাতীয় ঐশ্বৰ্য্যেৰে আন আন অংশক সহায় কৰিবলৈ সক্ষম হব। কিন্তু অসমীয়াৰ আজিও সেই চেতনা অহা নাই, অসমীয়াই এতিয়াও নিজত্ব ৰক্ষাৰ আৱশ্যকতা সম্পৰ্কে গভীৰভাৱে ভাবি চোৱা নাই, আৰু তাৰ প্ৰমাণ প্ৰত্যেকৰ চকুৰ আগত ফটফটীয়াকৈ ওলাই আছে। ১৯০৫ চনৰ পৰা আজি পৰিমিত ভাৰতৰ প্ৰত্যেক প্ৰদেশ শিল্প, সমাজ, ভাষা-সাহিত্য আদি সকলো বিষয়তে আচৰিত ৰকমে আগ বাঢ়িলে, কিন্তু অসমত এইবোৰ বিষয়ৰ কিবা বিশেষ পৰিবৰ্ত্তন হোৱা বুলি আমাৰ মনে নধৰে। জাতীয় জীৱনত এই অস্বাভাৱিক স্থবিৰতাৰ কাৰণ কি? ই নিশ্চয় জাতি হিচাপে অসমীয়াৰ জাতীয় চৈতন্যৰ অভাৱ। আমি যে অসমীয়া আৰু অসমীয়া এটা বেলেগ জাতি, এই কথা আমি অৱশ্যে আনে সুধিলে স্বীকাৰ কৰোঁ, কিন্তু আমাৰ

অন্তৰত এই ভাবৰ ঠাই এতিয়াও হোৱা নাই। সেই বাবেহে বহুত সময়ত আমি অসমীয়া, এই কথা পাহৰি যাওঁ, আৰু এনেকি আনৰ আগত কব লাগিলেও অসমীয়া বুলি দৃঢ়তাৰে কব নোৱাৰোঁ। এই কথা সকলোৱে স্বীকাৰ কৰিব যে বঙ্গালী বা মাদ্ৰাজী এজনে যিমান দৃঢ়তাৰে আনৰ আগত নিজক বঙ্গালী বা মাদ্ৰাজী বুলি পৰিচয় দিব, আমি সাধাৰণতঃ নোৱাৰোঁ, এনেকি বহুত সময়ত 'আমৰা বাঙ্গালী শিলাম' বুলি মিছা কথা কৈও আত্মপ্ৰসাদ লাভ কৰোঁ। বিদেশী এজনে যদি অসমীয়াক আমাৰ আগত অন্যায় কথাৰে নিন্দা কৰে, যদি কোনোৱে আমাৰ ভাষা বা সাহিত্যৰ প্ৰতি লক্ষ্য কৰি মুখৰ আগত ঠাট্টা কৰে, কেইজনে তাৰ প্ৰতিবাদ কৰিবলৈ সাহ কৰোঁ? অসমীয়া বেহা-বেপাৰ বা শিল্পৰ ওপৰত যদি কোনো বিদেশী শিল্প-বাণিজ্যই অন্যায়কৈ আক্ৰমণ কৰি আমাৰ জাতীয় শিল্পক ধ্বংস কৰিবলৈ বিচাৰে, কেইজন অসমীয়াই তাৰ প্ৰতিকাৰ কৰিবলৈ লাগি যাওঁ? অসমত ইংৰাজ চাহ-খেতিয়ক সকলৰ কথা কওঁতে সিদিনা চাৰ ৱাল্টাৰ স্মাইল্‌ছে (অসম কাউন্সিলৰ ভূতপূৰ্ব্ব মেম্বৰ লেপ্টেনেণ্ট কৰ্ণেল স্মাইল্‌ছ) কৈছিল যে ভাৰতৰ ইংৰাজ চাহ-খেতিয়ক সকল ইংলণ্ডৰে অধিবাসী, গতিকে ভাৰতৰ এই চাহখেতি ইংলণ্ডৰ জাতীয় শিল্পৰে এটি অংশ, আৰু এই খেতিয়ক সকলে জাৰ্ম্মানীৰ পৰা সস্তা দামত চাহৰ কল-কাৰখানাবোৰ নিনি ইংলণ্ডৰ শিল্পক সহায় কৰিবলৈকে বেছি দাম দিও ইংলণ্ডৰপৰাই কিনি আহিছে। গতিকে তেওঁলোকে আশা কৰে যে ইংলণ্ডবাসীসকলেও জাভাৰপৰা সস্তাদামত চাহ নিকিনি ভাৰতৰ পৰাই কিনিব, কাৰণ জাভাৰ চাহ কোম্পানীবোৰৰ মালিক হলেণ্ডৰ বেপাৰীসকল, আৰু তেওঁলোকে জাৰ্ম্মাণীৰপৰাহে কল-কাৰখানাবোৰ কিনিছে। ইংলণ্ডৰ বিশাল শিল্পৰ তুলনাত ভাৰতৰ চাহখেতি অতি সামান্য অংশ, কিন্তু তথাপি চাৰ ৱাল্টাৰৰ এই মৰ্ম্মবাণীয়ে ইংৰাজসকলক জগাই তুলিছে, তেওঁলোকে ভাৰতৰ চাহহে কিনিবৰ দিহা কৰিছে। আজি ভাৰতৰ আন আন প্ৰদেশৰ অধিবাসীসকলেও এনে প্ৰেৰণাৰে উদ্বুদ্ধ হোৱাতহে ভাৰতীয় শিল্প বিদেশী প্ৰতিযোগিতাৰ মুখতো মূৰ দাঙ্গি উঠিবলৈ সক্ষম হৈছে, ভাষা আৰু সাহিত্য-ক্ষেত্ৰতো এই জাতীয় প্ৰেৰণাৰ জিলিঙনি পৰাতহে যুগ-যুগান্তৰ অচলতাৰ পাৰ ভাঙ্গি ভাৰতৰ প্ৰত্যেক প্ৰাদেশিক ভাষা আৰু সাহিত্যই ক্ৰমোন্নতিৰ বাটত আগ বাঢ়িছে। কিন্তু অসমীয়াৰ মাজত এতিয়াও এই চৈতন্যৰ সঞ্চাৰ অনুভূত হোৱা নাই। আমাৰ জাতীয় জীৱন আজিও পঙ্গু হৈয়ে আছে। সেইদেখি আজিও বেহা-বেপাৰত অসমীয়া পাছ পৰা, কৃষি-শিল্পত আধামৰা, আৰু ভাষা আৰু সাহিত্যক্ষেত্ৰত হীনবল। আধুনিক অসমীয়া সাহিত্যৰ আদি যুগ এতিয়াও পাৰ হোৱা নাই।

ভাষা আৰু সাহিত্যত বাজে আন বিষয় প্ৰাসঙ্গিক হলেও এই সভাৰ ঘাই আলোচনাৰ ভিতৰত নহয়, গতিকে আমি এতিয়া এই প্ৰবন্ধৰ মুখ্য উদ্দেশ্যলৈ ঘূৰি আহোঁ। ১৮৭৬ চনত অসমৰ পঢ়াশালিবিলাকত পুনৰ বঙ্গালী ভাষাৰ সলনি অসমীয়া ভাষাৰ প্ৰচলন হ'ল, আৰু চৰকাৰী বিষয়াসকলেও বেছকৈ বুজিলে যে অসমীয়া আৰু বঙ্গালী একে নহয়, অসমৰ সুকীয়া অস্তিত্ব থকা আৱশ্যক। তেতিয়াৰ পৰা আজি আঢ়ৈ কুৰি বছৰৰ ওপৰ হ'ল, কিন্তু আজিও অসমীয়া ভাষাই গা কৰি উঠিব পৰা নাই কিয়? আধুনিক অসমীয়া সাহিত্যৰ ফালে চাই, ভবিষ্যতলৈ যে এই ভাষা আৰু সাহিত্যই সুকীয়া অস্তিত্ব বজায় ৰাখিব পাৰিব, এই সম্পৰ্কে সন্দেহ প্ৰকাশ কৰা শুনো কিয়? বহুতে কব, অসমীয়া মানুহৰ সংখ্যা অতি কম, মুঠে ১৭ লাখ; ইমান কম মানুহৰ মাজত প্ৰচলিত ভাষা আৰু সাহিত্য কেতিয়াও তিষ্ঠিব নোৱাৰে। আন কিছুমানে কব, অসমীয়া সাহিত্যৰ আধুনিক কিতাপবোৰত পঢ়িবলৈকে একোটো নাই, বঙ্গালী ভাষাত তাতকৈ বহুত ভাল কিতাপ পঢ়িবলৈ পোৱা যায়, গতিকে আধুনিক অসমীয়া সাহিত্যৰ প্ৰতি অসমীয়া মানুহৰ শ্ৰদ্ধা কমি আহিছে, আৰু কালক্ৰমে এই সাহিত্য লোপ পাব। দুয়োদলৰে কথা আংশিক পৰিমাণে সঁচা।

১৯২১ চনৰ চেন্সাছত অসমৰ শিক্ষিতৰ সংখ্যা শতকৰা ৬ জন বুলি ওলাইছিল. সেই হিচাপে শিক্ষিত অসমীয়াৰ সংখ্যা এলাখৰ অলপ ওপৰত। আচলতে এই এলাখ মানুহৰ ওপৰত নিৰ্ভৰ কৰি কোনো সাহিত্য জীয়াই থাকিব নোৱাৰে। ইফালে অসমীয়া ভাষা-ভাষী মানুহৰ সংখ্যাও বৰ কম মুঠে ১৭ লাখ মানুহৰ মাজত সুকীয়া ভাষা হিচাপে এটি ভাষা বৰ্ত্তি থকা বৰ সহজ নহয়। এই কথা কোনো নিৰপেক্ষ সমালোচকে অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু আনফালে এইখিনিকো স্বীকাৰ কৰিব লাগিব যে অসমীয়া ভাষা আৰু সাহিত্যৰ বিস্তৃতিৰ বাট এতিয়াও চৌদিশে মুকলি হৈ আছে, আৰু অসমীয়া ৰাইজে এই ভাষা আৰু সাহিত্যৰ তললৈ বহুত মানুহ আনি অসমীয়া কৰিব পাৰে। ৩য় বছৰৰ প্ৰথম সংখ্যা 'আৱাহন'ত 'বৃহত্তৰ অসম' শীৰ্ষক প্ৰবন্ধত শ্ৰীযুত যদুনাথ শৰ্ম্মা ডাঙৰীয়াই এই সম্পৰ্কে বহলাই লিখিছে, তাৰ পুনৰুল্লেখ নিষ্প্ৰয়োজন। উক্ত প্ৰবন্ধলিখকে ঠিক কথাকে কৈছে যে বৃহত্তৰ অসমৰ পৰিকল্পনা কেৱল কল্পনাৰে বস্তু নহয়, তাক বাস্তৱতাত পৰিণত কৰাটো অসমীয়াৰ পক্ষে টান নহয়, আৰু এই উদ্দেশ্য এফালে বিভিন্ন ঠাইৰ অসমীয়া মানুহ বিলাকক এক শাসনাধিকাৰৰ তলত লগ লগাই, এটি অখণ্ড জাতিত পৰিণত কৰিবলৈ অসমৰ সীমা বঢ়োৱা যেনে আৱশ্যক, সেইদৰে অসমৰ প্ৰত্যেক মানুহকে অসমীয়া কৰি লোকসংখ্যা বঢ়াবলৈ চেষ্টা কৰা তেনে দৰ্কাৰী, কাৰণ অসমৰ সীমাৰ ভিতৰতো এনে অনেক মানুহ আছে, যিসকল আচলতে অসমীয়া, কিন্তু অসমীয়াৰ পৰা কোনো সহানুভূতি নপাই, অসমীয়াও হব পৰা নাই, আনপিনেও যাব পৰা নাই। অসমীয়া ভাষা-ভাষী মানুহৰ সংখ্যা এইদৰে বঢ়াবৰ চেষ্টা কৰা নিতান্ত আৱশ্যক, কিন্তু এইবোৰ কেৱল সংখ্যা বা পৰিমাণমূলক হিচাপ-নিকাছ (Quantitative consideration)। ইয়াৰ বাহিৰেও আন এটি ফালে আমি লক্ষ্য কৰিব লগীয়া হৈছে, সেইটো হৈছে Qualitative consideration অৰ্থাৎ জাতীয় চৈতন্যৰ গভীৰতা সম্পৰ্কে বিবেচনা। এই কথা, প্ৰবন্ধৰ আৰম্ভণিতে বুজাই কবলৈ চেষ্টা কৰা হৈছিল। সঁচাকৈ চিন্তা বা চৈতন্যৰ গভীৰতা কথাষাৰি বৰ আৱশ্যকীয় বিষয়। ৰাজনীতিত জন-মতৰ প্ৰবলতা সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে Public Opinion and Popular Government বোলা কিতাপত Mr. Lowell লিখিছে —"The common impression that Public opinion depends upon and is measured by the mere number of persons to be found on each side of the question is erroneous. If a minority of the community feel very strongly and a majority very lukewarmly, the former opinion has the greater public force behind it".—অৰ্থাৎ সাধাৰণৰ বিশ্বাস যে কোনো এটা প্ৰশ্নৰ সপক্ষে আৰু বিপক্ষে যিমান মানুহ থাকে সেই মানুহৰ সংখ্যাৰে জনমত নিৰ্ণয় কৰা হয়, আৰু এই সংখ্যাৰ কম বেছিৰ ওপৰতে ই নিৰ্ভৰ কৰে; কিন্তু এই বিশ্বাস ভুল। যদি কোনো সম্প্ৰদায়ৰ সংখ্যালঘিষ্ঠ দলে কোনো সমস্যা সম্পৰ্কে বৰ গভীৰভাৱে চিন্তা কৰে, আৰু সংখ্যাগৰিষ্ঠ দলে পাতলকৈ ভাবে, তেনেহলে সংখ্যালঘিষ্ঠ দলৰ মতহে আচল জনমত আৰু আনদলৰ মততকৈ বেছি শক্তিশালী। ৰাজনীতিৰ এই কথা আমাৰ বৰ্ত্তমান প্ৰসঙ্গতো খাটে। আজি অসমীয়া মানুহৰ সংখ্যা অতি কম হলেও, এই মুষ্টিমেয় মানুহৰ মাজত জাতীয় চৈতন্যৰ প্ৰভাৱ পৰিলে, সেই প্ৰভাৱৰ বলতে আৰু লাখ লাখ মানুহ অসমীয়া হব, অচিৰে অসমীয়াৰ সংখ্যা বাঢ়ি যাব। আজি সেই দেখি সকলো অসমীয়া মানুহকে অসমীয়া ভাবাপন্ন (Assam-minded) কৰিব লগীয়া হৈছে। আমি যদি নিজে অসমীয়া ভাবাপন্ন হব নোৱাৰোঁ, আৱশ্যক হলে নিজক অসমীয়া বুলি কব নোৱাৰোঁ, তেনেহলে আজি সোতৰ লাখ অসমীয়াই যি কৰিব পৰা নাই, তাক এশ লাখ অসমীয়ায়ো কৰিব নোৱাৰে। মনৰ এই ভাবৰ গভীৰতা এটা বৰ প্ৰবল শক্তি আৰু মহাত্মাই য়ুৰোপত গৈ আন কিবা কৰিব পাৰক নোৱাৰক, অন্ততঃ এইখিনি

কৰি থৈ আহিল যে আজি প্ৰত্যেক চিন্তাশীল য়ুৰোপবাসীয়ে তেওঁৰ প্ৰভাৱত India-minded অৰ্থাৎ ভাৰত-ভাবাপন্ন হৈ ভাৰতৰ বিষয়ে আচল তথ্য জানিবলৈ উৎসুক হৈছে। ভাৰতৰ পক্ষে য়ুৰোপৰ মনোৰাজ্য জয় কৰা আজৰ দিনত বৰ ডাঙৰ লাভ। কিন্তু অসমীয়াৰ মনোৰাজ্য আজি অসমীয়া ভাবে তো জয় কৰিব পৰাই নাই, বিদেশীক অসমীয়া ভাবাপন্ন কৰা তো দূৰৰ কথা, এনেকি অসমীয়াৰ মনকে হয় ঘোৰ ঔদাসীন্য, নহলে বিজাতীয় ভাবে অধিকাৰ কৰি বহি আছে। যদি কোনোবাই কয়, অসমীয়া জাতিৰ এই মানসিক পৰিবৰ্ত্তন অসম্ভৱ, তেনেহলে আমিও কব পাৰো যে অসমীয়াই সুকীয়া ভাষা, সুকীয়া সাহিত্য আৰু সুকীয়া কৃষ্টি লৈ কেতিয়াও জীয়াই থাকিব নোৱাৰে। সেই কাৰণে অসমীয়া ভাষা-সাহিত্যক জীয়াই ৰাখি তাৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি আশা কৰিলে, আজি অসমীয়াক অসমীয়া কৰি লোৱা যেনে আৱশ্যক, অসমীয়াই নিজৰ প্ৰভাৱেৰে বিদেশীক অসমীয়া ভাবাপন্ন কৰি লোৱা যেনে প্ৰয়োজন, অসমীয়াৰ মনোৰাজ্যত জাতীয় প্ৰেৰণা সুমাই দিয়া তাতোকৈ বেছি আৱশ্যক। প্ৰত্যেক অসমীয়াই যদি এইষাৰি কথা প্ৰাণে প্ৰাণে অনুভৱ কৰে যে আমাৰ শৰীৰৰ প্ৰতি অণু পৰমাণু অসমীয়া, তেনেহলে আজিৰ সোতৰ লাখ অসমীয়ায়ো অদূৰ ভবিষ্যতত শ্ৰেষ্ঠ জাতি বুলি নিজক পৰিচয় দিব পাৰিব। উনৈশ শতিকাৰ শেষভাগত যেতিয়া, কবলৈ গলে পাহৰণিৰ কবলৰ পৰা অসমীয়া ভাষাক আমাৰ পূৰ্ব্ববৰ্ত্তী সকলে উদ্ধাৰ কৰিলে, তেতিয়া অসমীয়া মানুহ কিমান আছিল? আজিতকৈ কম নাছিল নে? তথাপি সেই হেন দুদ্দিনতো তেওঁলোকৰ চেষ্টা ফলৱতী হৈছিল, তাৰ কাৰণ সেই স্বদেশপ্ৰাণ মহাপুৰুষসকলৰ প্ৰতি ৰক্তবিন্দু অসমীয়াৰ প্ৰেৰণাৰে শক্তিমন্ত আছিল, আজিৰ অসমীয়াৰ সেইটো নাই; সেইদেখি অসমীয়া ভাষা-সাহিত্যৰ, অসমীয়াৰ জাতীয় জীৱনৰ এই শোচনীয় অৱস্থা। আজি যদি আমাৰ এই মনোভাবৰ পৰিবৰ্ত্তন সাধিব পাৰো, তেনেহলে অসমৰ অসমীয়া লোকৰ সংখ্যাও অতি শীঘ্ৰে বাঢ়ি যাব।

যিসকলে অসমীয়া ভাষাৰ ভবিষ্যত অস্তিত্ব সম্পৰ্কে সন্দেহ কৰে, তেওঁলোকৰ দ্বিতীয় দলে কয় যে অসমীয়া সাহিত্যত মনোৰঞ্জক কিতাপৰ অভাৱ,—এই কথা ওপৰত কৈ আহিছোঁ। আমি এইখিনি স্বীকাৰ কৰো যে আমাৰ বৰ্ত্তমান বিজাতীয় ভাব আৰু বিকৃত মনোবৃত্তিৰ বাবে, আধুনিক অসমীয়া সাহিত্যিক সকলৰ অতি কমেহে প্ৰকৃত অসমীয়া জাতীয় সাহিত্য লিখিবলৈ সক্ষম হৈছে। এই মূল কাৰণক আশ্ৰয় কৰি যথেষ্ট অধ্যয়নৰ অভাৱ বা অগভীৰ চিন্তাৰ বাবে, বৰ ওখ খাপৰ আধুনিক সাহিত্য নিচেই তাকৰীয়া। আৰু এইটো শব্দ উজনিতহে ব্যৱহাৰ কৰে, নামনিৰ মানুহে বুজি নাপায়, সেইটো বাক্য নামনিৰ ফালে ঘৰে ঘৰে ব্যৱহাৰ কৰিলেও বঙ্গলুৱা, আন এটা শব্দ সংস্কৃতীয়া, ইত্যাদি ধৰণৰ সংকীৰ্ণতাপূৰ্ণ ভাবে মানুহৰ মন অধিকাৰ কৰাত অৱশ্যে কিছুমান আধুনিক কিতাপ সৰ্ব্বসাধাৰণৰ মনোৰঞ্জক হব পৰা নাই সঁচা; কিন্তু সেই বুলি অসমীয়া সাহিত্যত পঢ়িবলৈ একোটো নাই বুলি যিসকলে মনৰ উদাৰতাৰে বিদেশী সাহিত্যৰ নিকৃষ্টতম পুথিৰ পাতত মনোনিবেশ কৰে, তেওঁলোকে অভ্যাসৰ বলতহে তেনে মন্তব্য প্ৰকাশ কৰিছে, আচলতে অসমীয়া সাহিত্যৰ কোনো পুথিকে পঢ়া নাই, ইত্যাদি ধৰণৰ নানা সন্দেহ আমাৰ মনলৈ স্বাভাৱিকতে আহে। আমাৰ অসমীয়া পাঠক সমাজৰ বেছি ভাগৰেই এনে মনোভাব, আৰু তেওঁলোকে নিজৰ কথা সমৰ্থন কৰিবলৈকে বঙ্গালী সাহিত্যৰ লগত অসমীয়া সাহিত্য বিজাবলৈ ৰবীন্দ্ৰনাথৰ কবিতা বা বঙ্কিমচন্দ্ৰৰ উপন্যাসক টনা আজোৰা কৰে। কিন্তু এইসকলৰ ভিতৰুৱা জীৱন অনুসন্ধান কৰিলে পোৱা যায়,—ৰবীন্দ্ৰনাথৰ কবিতা বা বঙ্কিমৰ উপন্যাস নহয়—পাঁচকড়ি দেৰ ডিটেক্‌টিভ উপন্যাস আৰু বটতলাৰ শ্ৰেণীৰ নানা অপকৃষ্ট নাটক নভেল। যিসকলে অসমীয়া বাতৰি-কাকত বেয়া বুলি নপঢ়ে, তেওঁলোকৰ বহুতে তাতোকৈ বেয়া নানা বিদেশী কাকত পঢ়িহে তৃপ্তি

পায়। আমি নিজে শুনিছোঁ, বহুতে আকৌ কয়— অসমীয়া ভাষা ভালকৈ বুজি নাপায়, নাইবা অসমীয়া কিতাপ পঢ়িলে মনত ভাল নালাগে বঙ্গালী কিতাপেহে শৰীৰত নতুন শক্তি আৰু মনত নতুন উৎসাহ দিয়ে। এই অৰ্থবিহীন মিছা সমালোচনা আমাৰ অসমৰ পাঠক সমাজৰ জাতীয় চেতনাহীন বিষম ঔদাসীন্যৰ ফল মথোন। যি সকলে অসমীয়া সাহিত্যৰ প্ৰতি এনে অন্যায় দোষাৰোপ কৰে, তেওঁলোকে যদি অসমীয়া নিকৃষ্টতম পুথি-খনিকো পঢ়ি ন্যায়সঙ্গত আৰু যুক্তিমূলকভাৱে সমালোচনা কৰিলে হেঁতেন, তেনেহলে আজি অসমীয়া সাহিত্যৰ ওপৰত দম খাই থকা বিপুল আবৰ্জ্জনাবোৰ আঁতৰি গৈ বিশুদ্ধ সাহিত্য সম্পদৰ উজ্জ্বলতা বাঢ়িলে হেঁতেন, আৰু তাৰ পোহৰত ভাবী সাহিত্যিকসকলেও আধুনিক অসমীয়া সাহিত্যৰ ধাৰা নিৰ্ণয় কৰি, নিজক সেই সোতত উটাই দিব পাৰিলেহেঁতেন। এই সমালেচনা প্ৰবৃত্তি সাহিত্যৰ উন্নতিৰ বাটত বৰ ডাঙৰ সহায়, ইয়াৰ পৰা পাঠকশ্ৰেণীও লাহে লাহে ডাঙৰ হৈ যায়, আনপিনে প্ৰকৃত সাহিত্যৰ মোল বুজিবলৈ সক্ষম হোৱাত জাতীয় সাহিত্যৰ প্ৰতি আগ্ৰহসম্পন্ন মানুহৰ সংখ্যাও বাঢ়ি আহে। কিন্তু মুখৰ কথাতে অসমীয়া ভাষা-সাহিত্য উৰাই দিব খোজা এই অসমীয়া পাঠক সমাজৰ ফোপ-ডাং মৰা কথাই অসমীয়া সাহিত্যৰ উন্নতিৰ পথত কণ্টক স্বৰূপহে হৈছে। পাঠক সমাজ প্ৰত্যেক দেশৰে শিক্ষিত আৰু অশিক্ষিতৰ মাজৰ জোৰাৰ দৰে, আৰু এওঁলোকৰ মুখেদি নাইবা কাম-কাজৰ মাজেদিহে অশিক্ষিত সাধাৰণ তৰপৰ মানুহে দেশ-বিদেশৰ বাতৰি, ভাষা, সাহিত্য আদিৰ কথা শুনিবলৈ পায়। গতিকে এই পাঠক সমাজে কিবা বাতৰি বা আন এটা কিবা বিষয়ে যিদৰে ভাবে, তাৰেহে ভাগ এই নিৰক্ষৰ শ্ৰেণীয়ে পায় আৰু সেই অনুযায়ী নিজৰ মনোভাব গঠন কৰে। আমাৰ এই পাঠক সমাজৰ প্ৰভাৱত এই নিৰক্ষৰ লোকসকলো যে ক্ৰমে বিজাতীয় ভাবাপন্ন হৈ আহিছে, তাক গাৱঁৰ পিনে গৈ দুই এজনৰ লগত কথা পাতিলেই কব পাৰি। তাতোকৈ বিপদৰ কথা, এইসকলৰ মাজত উচ্চশিক্ষিত উচ্চপদস্থ মানুহ বহুত আছে; তেওঁলোকৰ প্ৰভাৱত নিজৰ লৰা ছোৱালী বা পৰিয়ালৰ আন মানুহ তো বিদেশী ভাবাপন্ন হৈছেই, তেওঁলোকৰ তলৰ নানা মানুহেও তেওঁলোকৰে পদানুসৰণ কৰিছে। এনেও দুই চাৰিজন এনে দলৰ ডাঙৰ মানুহ পোৱা যায়, যিসকলে 'অসমীয়া' বাতৰি-কাকত বহুদিনো দেখা নাই, আজি তিনি বছৰেও 'আৱাহন'ৰ নাম শুনা নাই, দেখা তো দূৰৰ কথা। অলপতে আসাম চিভিল চাৰ্ভিছৰ কৰ্ম্মচাৰী এজনৰ পৰা এনে ৰহস্যজনক কথা শুনিবলৈ পোৱা গৈছে। অৱশ্যে তেওঁৰ ঘৰত বঙ্গালী আলোচনী আৰু দৈনিক বাতৰি কাকত কেবাখনো আছে।

অসমীয়া সাহিত্যৰ ত্ৰুটী বা ভাষাৰ অনুন্নত অৱস্থাৰ কথা আমি ওপতে স্বীকাৰ কৰি আহিছোঁ, কিন্তু ইয়াৰ আধুনিক সম্পদ নাই বুলিও কিছু আছে আৰু ই একেবাৰে দলিয়াই পেলাব লগীয়া নহয়। আজি যদি উচ্চ শ্ৰেণীৰ আধুনিক অসমীয়া সাহিত্যিকসকলে যোগ্য সন্মান অসমীয়াৰ পৰা পোৱা নাই, তেনেহলে তাৰ ঘাই কাৰণ সহানুভূতি-সম্পন্ন পাঠক শ্ৰেণীৰ অভাৱ, আৰু তাৰ ঠাইত হীন মনোবৃত্তিসম্পন্ন পাঠক সমাজৰ প্ৰভাৱ। এই পাঠকসমাজে অতিশয় নিকৃষ্ট বিদেশী কিতাপ বা কাকতৰ বাবে বছৰি বহুত টকা উৰুৱাইছে, আৰু অসমীয়া কিতাপ কোনোবাই এখন এনেয়ে দিলেও নপঢ়ে। যিসকল উচ্চ শ্ৰেণীৰ সাহিত্যিকে কয়, অসমীয়াত কিতাপ লিখি ছপা খৰচো তোলা টান, পাঠকৰ সংখ্যা বৰ কম, তেওঁলোকে বুজে নে নুবুজে কব নোৱাৰো, কিন্তু আমি হলে এই দৰেহে সেই কথা বুজিম। আচলতে অসমত অসমীয়া কিতাপ বা কাকত পঢ়া মানুহ অতি কম, কিন্তু নানা বিদেশী তৃতীয়-চতুৰ্থ শ্ৰেণীৰ কিতাপ কাকত পঢ়া মানুহ বহুত বেছি। বঙ্গদেশত নিকৃষ্ট কিতাপ এখনিৰো দহ পোন্ধৰ হেজাৰ বিক্ৰী হয়, অসমত বঙ্গদেশৰ দৰে অৱশ্যে তিমান ডাঙৰ পাঠক সমাজ নাই কিন্তু যিমান শিক্ষিত মানুহ আছে, তাৰ ভিতৰত দুহেজাৰ বা তিনি হেজাৰ ভাল কিতাপ বিক্ৰী হোৱা সম্পূৰ্ণ সম্ভৱ। কিন্তু আজি কত বছৰ পূৰ্ব্বে প্ৰকাশ কৰা শ্ৰীযুত ৰঘুনাথ চৌধাৰীৰ 'কেতেকী', শ্ৰীযুত ৰজনীকান্ত বৰদলৈৰ 'মনোমতী'

'মিৰিজীয়ৰী', বেজবৰুৱাৰ 'জয়মতী', শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰ তীৰ্থ' আদি উচ্চ সাহিত্যগ্ৰন্থবিলাকৰ কিমান হেজাৰ কিতাপ অসমীয়াই কিনিছে? 'আৱাহন', 'অসমীয়া', 'বাতৰি', 'বাঁহী' আৰু অন্যান্য কাকতবোৰৰ গ্ৰাহক সংখ্যা কিমান? অথচ তাতকৈ কত নিকৃষ্ট বিদেশী কাকতকিতাপ অসমীয়াৰ ঘৰে ঘৰে অসংখ্য সোমাই আছে!

প্ৰত্যেক দেশতে কিতাপ লিখা আৰু কাকত চলোৱা কামটো দেশৰ নানা প্ৰকাৰ উন্নতিৰ কাৰণে যেনে অতি আদৰৰ আৰু আৱশ্যকীয়, তেনেকৈ ই এটা জাতীয় শিল্প। য়ুৰোপ আৰু আমেৰিকাত এই ব্যৱসায়ৰপৰা প্ৰচুৰ লাভ হয়, এফালে গ্ৰন্থকাৰ বা কাকতৰ পৰিচালকে যেনেকৈ অতুল অৰ্থ উপাৰ্জ্জন কৰে, তেনেকৈ জাতিৰ আৰ্থিক সম্পদো বাঢ়ি আহে। আমেৰিকাৰ ভূতপূৰ্ব্ব প্ৰেছিডেণ্ট মিঃ কুলিজে কামৰ পৰা অৱসৰ ললত তেওঁক এখন বাতৰিকাকতে, তেওঁৰ লিখা প্ৰবন্ধৰ প্ৰত্যেক শব্দটোৰ বাবে ৫০ পাউণ্ড অৰ্থাৎ প্ৰায় ৭৫০৲ টকাকৈ দিবলৈ আগ বাঢ়িছিল, আৰু লৰ্ড বাৰ্কেনহেডে ভাৰত-সচিবৰ দৰে প্ৰভূত ক্ষমতাসম্পন্ন কামটোকো লাভজনক নহয় বুলি এৰি পেলাই তেওঁৰ মৃত্যুৰ কিছুদিন আগেয়ে বাতৰি-কাকতত প্ৰবন্ধ লিখিবলৈ ধৰিছিল। তাৰ পৰাই বাতৰিকাকতবোৰৰ আয়ৰ পৰিমাণ অনুমান কৰিব পাৰি। অলপতে মিঃ এডগাৰ ৱালাছে দিব লগা আয়কৰৰ পৰিমাণ বাৰতিকাকত পঢ়োঁতাসকলে দেখিছে, আৰু তাৰপৰাই লিখকসকলৰ আয়ৰ কথা ভাবি উলিয়াটোও টান নহয়। ভাৰতত এই ব্যৱসায় এতিয়াও ইমান লাভজনক হোৱা নাই, কিন্তু সেই বুলি অসমীয়া লিখাৰু বা বাতৰিকাকতৰ পৰিচালকসকলৰ দৰে দুৰ্দ্দশা কাৰো নহয়। আমি ইয়াত সাধাৰণ নিকৃষ্ট কিতাপৰ লিখক বা বিজ্ঞাপনৰ দৰে কাকতৰ পৰিচালকৰ কথা কোৱা নাই, প্ৰথম শ্ৰেণীৰ লিখক বা কাকতৰ পৰিচালকৰ কথাহে কৈছোঁ। অসমীয়া লিখক বা বাতৰিকাকতৰ পৰিচালকসকলে এতিয়াও লাভলৈ আশা কৰা নাই, তেওঁলোকৰ পক্ষে মূলখিনি ঠাওৰিলেই যথেষ্ট। তেওঁলোকে কিতাপ লিখে 'সখ'ত, বাতৰিকাকত চলায় নিঃস্বাৰ্থ দেশসেৱাৰ মনেৰে। কিন্তু তথাপিতো যদি অসমীয়া জনসাধাৰণে তেওঁলোকৰ এই স্বাৰ্থত্যাগৰ কথা উপলব্ধি নকৰে, আৰু সহানুভূতি দেখুৱাই উৎসাহ নিদি বৰং নানা মিছা সমালোচনা বা অপযশেৰে অসমীয়া সাহিত্য বা বাতৰিকাকতৰ কলঙ্ক ৰটনা কৰে, তেনেহলে সেই লিখকে হতাশ হৈ নিলিখোঁ বুলিলে, বা কাকতৰ পৰিচালকে কাকত বন্ধ কৰিলে তাত দোষ কাৰ? অৱশ্যে আমি কব খোজা নাই যে অসমীয়াত ভাল কিতাপ এই বাবেই নোলায় বা প্ৰত্যেকখন কাকত কিছুদিন টেইভেইকৈ জীয়াই থাকি কেৱল এই বাবেই মৰে; কিতাপলিখকৰ মৌলিক ক্ষমতাৰ অভাৱ আৰু কাকতৰ পৰিচালকসকলৰ নিজৰ বেমেজালিৰ কথা আমি স্বীকাৰ কৰোঁ; কিন্তু আনপিনে অসমীয়া ৰাইজৰ সহানুভূতি-হীনতাৰ কথা দলিয়াই পেলাব নোৱাৰোঁ। অৰ্থনীতি-শাস্ত্ৰত কোনো ব্যৱসায়ৰ প্ৰতি মানুহৰ সদিচ্ছা বা পৃষ্ঠপোষকতাক সেই ব্যৱসায়ৰ এক প্ৰকাৰ মূলধন হিচাপে গণ্য কৰা হয়। অসমত আন আন বিষয়ৰ কথা এৰি দি কাকত চলোৱা আৰু কিতাপ লিখা এই প্ৰধান আৰু অতি আৱশ্যকীয় জাতীয় শিল্পটোৱে অসমীয়া ৰাইজৰ এই সহানুভূতি পোৱা নাই। গতিকে আৰ্থিক স্বচ্ছলতা আৰু অন্যান্য আৱশ্যকীয় উপাদানবিহীন বাতৰিকাকত-বোৰে ৰাইজৰ সহানুভূতি নাপালে বৰ্ত্তি থাকে কেনেকৈ? বিদেশীৰ সুপ্ৰতিষ্ঠিত, সুগঠিত প্ৰতিযোগিতাৰ আগত, আমাৰ বাতৰিকাকতবোৰ জীয়াই থকা এক প্ৰকাৰ অসম্ভৱ, বিশেষকৈ যেতিয়া ৰাইজৰ সহানুভূতি নাপায়, তেতিয়া তাৰ মৰণ অৱশ্যম্ভাবী। আন আন শিল্প বিষয়ত বিদেশী শিল্পৰ প্ৰতিযোগিতাৰ মুখৰ পৰা ৰক্ষা কৰিবলৈ শাসক সম্প্ৰদায়ে সংৰক্ষণনীতিৰ বলেৰে দেশীয় শিল্পক সকলোপ্ৰকাৰ কৰৰপৰা ৰেহাই দিয়ে, কেতিয়াবা কেতিয়াবা আৰ্থিক সাহায্য দান কৰে, নাইবা বিদেশী শিল্পজাত বস্তু যাতে সেই দেশত সস্তা দামত বেচিব নোৱাৰে, তাৰ বাবে ওখ হাৰে কৰ বহুৱায়। আমাৰ অসমৰ বাতৰিকাকতবোৰো বৰ্ত্তমানে বিদেশী কাকতৰ

কুলনাত এতিয়াও পানী কেচুৱা অৱস্থাত; এনেহলত বাইজৰ সংস্থুভূতিয়েই এইবিলাকৰ একমাত্ৰ ভৰসা, আৰু বাইজে এই সংৰক্ষণনীতিৰ আৱশ্যকতা উপলব্ধি কৰি আমাৰ এই কাকতৰোৱাৰ পৃষ্ঠপোষকতা কৰা উচিত। অসমীয়া পাঠকসমাজ অৱশ্যে ৰহ সক, কিন্তু সেই বুলি এই পাঠকসকলৰ মাজতে যে দয়ৰ্শন কাকতো চলিব পাৰে, ইয়াঁচা কথা। আজিৰ দিনত অসমৰ পাঠকসমাজে এই কথাৰ গুৰুত্ব বেছকৈ বুজি পায়,—গতিকে অতদিনে সুইচ্ছাৰে আচৰা মহাপাপৰ প্ৰতিকাৰ ক'ৰবলৈ সোনকালে দিহা কৰা উচিত। আমাৰ জনা-বুজাসকলে গাৱেঁ-ভূঁয়ে, সভাই সমিতিয়ে এই সমস্তাৰ গভীৰতা আৰু তাৰ সমাধানৰ উপায়বোৰ ফঁহিয়াই ফঁহিয়াই বাইজক দেখুৱাব লগীয়া হৈছে। ভাষা আৰু সাহিত্যৰ উন্নতিৰ আৱশ্যকতা যদি জাতীয় উন্নতিৰ বাটত কোনোবাই স্বীকাৰ কৰে, তেনেহলে এনে এখন প্ৰচাৰ কাৰ্য্যৰ দ্বাৰা অসমীয়া সাহিত্য আৰু অসমীয়া ৰাতৰিকাকতবোৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে বৰ্ত্তমানে অসমৰ পাঠকসমাজৰ মাজত প্ৰবল আন্দোলন চলোৱাৰ আৱশ্যকতাও উপলব্ধি নকৰি নোৱাৰে। পাঠকসকলৰ পৰা সংস্থুভূতি আৰু গঠনমূলক সমালোচনাৰ লিখক আৰু কাকতৰ পৰিচালক সকলে নিজৰ ত্ৰুটী বুজি পালে, নিশ্চয় অসমীয়া সাহিত্যগ্ৰন্থ আৰু কাকতবোৰো লাহে লাহে সৰ্ব্বাঙ্গসুন্দৰ হৈ আহিব পাৰিব; আন পিনে পাঠকৰ সংখ্যাও বাঢ়ি যাব।

সিদিনা এজন লব্ধপ্ৰতিষ্ঠ সাহিত্যিকে কথাপ্ৰসঙ্গত লিখিছিল যে অসমত ছাত্ৰসকলেৰে মাথোন একপ্ৰকাৰ সাহিত্যিক জীৱন যাপন কৰে; যিসকলে ছাত্ৰজীৱন শেষ কৰি কাৰ্য্যক্ষেত্ৰত সোমায়, তেওঁলোকে প্ৰায়েই ছাত্ৰজীৱনৰ লগেলগে সাহিত্যচৰ্চ্চা কথাষাৰিকো বিদায় দিয়ে। কথাষাৰি অতি সঁচা; কিন্তু তাৰ কাৰণ কি? আমাৰ বিশ্বাস, কাৰণ বহুতো। প্ৰথমতঃ, কাৰ্য্যক্ষেত্ৰত সোমালে নানা জঞ্জাল আৰু আৰ্থিক চিন্তাই মানুহক ব্যতিব্যস্ত কৰি তোলে, গতিকে মনৰ চিন্তা দূৰ কৰি সাহিত্য আলোচনা কৰিবলৈ সময় নাথাকে। বিশেষতঃ আৰ্থিক অস্বচ্ছলতাই আমাক বিব্ৰত কৰি পেলায়। বঙ্গদেশত ধনী জমিদাৰসকল আছে বুলিয়েই তেওঁলোকৰ পৃষ্ঠপোষকতাত আৰ্থিক চিন্তা বহান হৈ এদল শিক্ষিত লোকে নিৰবিচ্ছিন্নভাৱে সাহিত্য চৰ্চ্চাৰ সুযোগ পাইছে। আন যিসকলে সাহিত্য চৰ্চ্চা কৰিছে, তেওঁলোকৰো আৰ্থিক কোনো উদ্বিগ্নতা নাই। দ্বিতীয়তঃ, অসমত পাঠক সমাজৰ সংস্থুভূতি নাই। এই কথা ওপৰত বিশদভাৱে আলোচনা কৰা হৈছে। কিন্তু আন এটি আৱশ্যকীয় কাৰণ আছে। সেইটো হৈছে Literary atmosphere অৰ অভাৱ অৰ্থাৎ অসমৰ চৰৱতেই ই'ক, মফঃস্বলতেই ই'ক, ক'তো পাৰিপাৰ্শ্বিক অৱস্থাবোৰ সাহিত্য চৰ্চ্চাৰ অনুকূল নহয়। যিমান দিন স্কুল-কলেজত থকা যায়, তিমান দিন পাঠ্যপুথি কেইখনৰ লগতে কেতিয়াবা দুই এখন আন কিতাপ পঢ়া হলেও, কলেজীয়া জীৱন শেষ হলে আমাৰ কিতাপৰ লগত কোনো সম্পৰ্ক নোহোৱা হয়। গতিকে কেৱল অক্ষৰ পাৰিচয়ৰ লগতে যাৰ শিক্ষা শেষ, তেনে শিক্ষিতৰ কথা এৰি দিলেও, কলেজৰ শিক্ষা পোৱা ছাত্ৰৰ শ্ৰেণীৰ শিক্ষিত সকলৰো বহুত যে পাঠক সমাজভুক্ত নহয়, তাক বুজিব পাৰি। এনেকি গুৱাহাটীৰ দৰে ঠাইতো, আনৰ কথাকে নকওঁ, কলেজৰ ছাত্ৰ আৰু প্ৰফেছৰ সকলেও এই অতি আৱশ্যকীয় Literary atmosphere উপভোগ কৰিব নোৱাৰে। আচলতে গুৱাহাটীতো এনে এটি প্ৰভাৱৰ সৃষ্টি হোৱা নাই; সেই দেখিয়েই কলেজত ছাত্ৰক পঢ়ুৱা সময়খিনি বাহিৰে আন সময়ত দুই এজন প্ৰফেছৰে কিতাপৰ লগত কোনো সম্পৰ্কে নাৰাখে, কিবা এটি কথা লিখিবলৈকো উৎসাহ নাথাকে। অৱশ্যে গুৱাহাটীত অসমৰ বাবে সুকীয়া বিশ্ববিদ্যালয় নোহোৱাটৈকে এই অৱস্থাৰ কিবা পৰিবৰ্ত্তন হব বুলি কোৱা টান; কিন্তু ডাঙৰ ডাঙৰ পুথিভৰাল নানা ঠাইত স্থাপিত হলে দেশৰ জন-সাধাৰণৰ মাজত পাঠক শ্ৰেণীৰ সংখ্যা বাঢ়ি যে হই ঠিক। বঙ্গদেশৰ অধিবাসী সকলৰ সুবিধা এয়ে যে দেশৰ প্ৰায় সকলো উচ্চশিক্ষিত মানুহে কলিকতাৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰাখিছে, আৰু এই

সকলৰ জৰীয়তে দেশৰ দশোদিশৰ পাঠকসমাজে নানা সুবিধা ভোগ কৰিবলৈ পাইছে। কলিকতাৰ অধিবাসী বা প্ৰবাসীসকলৰ কথাকে নকওঁ, আজিকালি মফঃস্বলতো চাৰিওপিনে অসংখ্য পুথিভৰাল খোলা হৈছে, আৰু দেশবন্ধু চিত্তৰঞ্জনৰ স্থাপিত গাওঁ সংগঠন সমিতিয়ে নিজৰ তত্বাৱধানত পুথিভৰাল খুলি, সেংবোৰ পুথি আৱশ্যক অনুসাৰে দেশৰ নানা ঠাইৰ মানুহক পঢ়িবলৈ ভগাই দিছে। ‘গতে নানা শ্ৰেণীৰ কিতাপ, নানা তৰংৰ বাতৰি কাকতে বঙ্গদেশত এক বিশাল পাঠক সমাজ গঢ়ি তুলিছে, আৰু এই লাইব্ৰেৰীবিলাকৰ সুবিধা পাই ইয়াত মফঃস্বলবোৰতো এক প্ৰকাৰ Literary atmosphere অৰ সৃষ্টি হৈছে। অৱশ্যে মানুহবিলাকে নানা কিতাপ কাকত আগ্ৰহেৰে পঢ়িছে। আশেৰ যোৱা ও ভিচেম্বৰ ‘ষ্টেটছমেন’ কাকতত প্ৰকাশ, কলকতাৰ ইম্পিৰিয়েল লাইব্ৰেৰীৰ লাইব্ৰেৰীয়ান মিঃ আছাদুল্লাই সন্তোষৰ বঙ্গ বাহাদুৰ, ভন মেমন আৰু বঙ্গদেশৰ গৱর্ণৰৰ মন্ত্ৰীসকলক লৈ এখন সভা পাতি বঙ্গদেশত লাইব্ৰেৰী আন্দোলনটো বিশেষ কাৰ্য্যকৰীভাৱে চলাব লাগে আৰু এই মৰ্ম্মে এখন বিল বঙ্গদেশৰ ব্যৱস্থাপক সভাত উপস্থাপিত কৰিব লাগে বুলি ব্যৱস্থা কৰিছে। আমাৰ অসমত কিন্তু লাইব্ৰেৰী আন্দোলনৰ কোনো চিনাকীয়ো বিশেষকৈ আজি পৰিমিত দেখা পোৱা নাই। অসমৰ গাওঁত নালাগে, গুৱাহাটীৰ বাহিৰে কোনো চহৰতে এটি ভাল লাইব্ৰেৰী নাই। গাওঁত দুই ঠাঁহত দুটা এটা নামমাত্ৰ লাইব্ৰেৰী থাকিলেও কাৰ্য্যত সি নোহোৱাৰ দৰে। কিন্তু আমাৰ বিশ্বাস, অসমীয়া সকলে এই আৱশ্যকীয় আন্দোলনটোৰ মূল্য উপলব্ধি কৰিবৰ সময় আছিছে। অসমীয়া ভাষা প্ৰচাৰ আৰু সাহিত্যোন্নতিৰ বাটত আন আন উপায়ৰ লগিত এই আন্দোলনটো বৰ সহায়ক আৰু কাৰ্য্যকৰী শিক্ষা বিস্তাৰৰ বাবে এয়ে প্ৰকৃষ্ট উপায় আৰু ইয়াৰ ক্ৰমবিস্তাৰে অসমৰ পাঠকৰ সংখ্যাও বঢ়াই আনিব। আজি অসমীয়াই এইটো ভালকৈ উপলব্ধি কৰা উচিত যে অসমীয়াই অসমীয়া হৈ থাকিব খুজিল ওড়ষাৰা আৰু নিৰীহ সাহিত্যিক নতুন তেজ, নতুন জীৱন দিব লাগব, আৰু সংস্থুভূতিসম্পন্ন পাঠক সমাজ গঢ়ি তুলিব পাৰিলে হে এই কাম সম্ভৱ হব। গতিকে আৱশ্যক বুজি তাৰ বাবে সকলো প্ৰকাৰৰ কাৰ্য্যকৰী উপায় উদ্ভাৱন কৰিব লাগিব। *

* ৩।২।৩১ তাৰিখে বহা কলিকতা এ, এছ, এম ক্লাবত পঢ়া।

চোভিয়েট শব্দৰ উৎপত্তি

আজিকালি বাতৰি কাকতত প্ৰায়েই ‘চাভিয়েট’ শব্দটো দেখা যায় আৰু কছিয়াৰ কথা কওঁতে মানুহে ‘চাভিয়েট’ শব্দ ব্যৱহাৰ কৰে। কেতিয়াবা ‘বল-ছেভিক’ কথাষাৰিকো ব্যৱহাৰ কৰা হয়, আৰু এইটোও সকলোবে জনা কথা যে কছিয়াত বৰ্ত্তমানে কমিউনিষ্ট প্ৰণালীৰ শাসন চলিছে। এই তিনিওটি শব্দ কছিয়াৰ লগত সম্পৰ্কিত, অথচ সাধাৰণে বহুত সময়ত ইয়াৰ প্ৰকৃত অৰ্থ বুজি নাপাই, একে শাসনপদ্ধতি বুজাবলৈকেই এই শব্দ কেইটি ব্যৱহাৰ কৰা হয়নে বেলেগ কিবা অৰ্থত প্ৰয়োগ কৰা হয়, এই কথা লৈ বিমোৰত পৰে।

কছিয়াত বৰ্ত্তমানে যি শাসন প্ৰণালী চলিছে, সি কমিউনিষ্ট আদৰ্শৰ। কমিউনিজম মৰ অসমীয়া অৰ্থ হৈছে সমাজতন্ত্ৰবাদ। এই আদৰ্শ অনুযায়ী কোনো মানুহৰ কোনো বস্তুত সুকীয়া অধিকাৰ নাই, এনেকি লাৱা

তিৰোতাকো কোনো মানুহে নিজৰ বুলি কব আৰু তাৰ ওপৰত স্বত্ব সাব্যস্ত কৰিব নোৱাৰে সকলো বস্তু বা সম্পত্তি ৰাষ্ট্ৰৰ। প্ৰত্যেকে নিজৰ শক্তি অনুসৰি উপাৰ্জ্জন কৰিব, আৰু সেই উপাৰ্জ্জিত ধন ৰাষ্ট্ৰই গ্ৰহণ কৰিব। তাৰ সলনি প্ৰত্যেকে আৱশ্যক অনুযায়ী ৰাষ্ট্ৰৰ পৰা ধন-বস্তু ভোগ কৰিব। ৰুছিয়াৰ বাহিৰে পৃথিবীৰ আন কোনো দেশত এই আদৰ্শেৰে শাসন পদ্ধতি এতিয়াও গঠিত হোৱা নাই।

'বলছেভিক' শব্দটো ৰুছ ভাষাৰ আৰু ইয়াৰ অৰ্থ বেছি সংখ্যক (majority)। ৰুছিয়াত পোন প্ৰথমে যেতিয়া কমিউনিষ্ট সকলে নতুন আদৰ্শেৰে শাসন যন্ত্ৰ চলাব খোজে, তেতিয়া তেওঁলোকৰ বিপক্ষে বহুত ৰুছিয়াৰ মানুহ আছিল; কিন্তু তথাপি লাহে লাহে কমিউনিষ্টসকলৰ সংখ্যা বাঢ়ি গ'ল আৰু এখন মিটিঙত অধিক সংখ্যক ভোটত জিকি কমিউনিষ্ট দলে প্ৰতিপত্তি লাভ কৰিলে। সিদিনাৰ পৰাই ৰুছ ভাষাত তেওঁলোক বলছেভিক নামে জনাজাত হ'ল, আৰু তেওঁলোকৰ ৰাজনৈতিক আদৰ্শই বলছেভিজ্‌ম্ নামে পৃথিবীৰ আন দেশৰ মানুহৰ আগত পৰিচয় দিলে।

সেইদৰে 'চোভিয়েট' শব্দটোও ৰুছ ভাষাৰে আৰু ইয়াৰ অৰ্থ কাউন্সিল বা সভা। ১৯০৫ চনত যেতিয়া ৰুছ দেশৰ বনুৱা সকলে ধৰ্ম্মঘট কৰে, তেতিয়া সঙ্কো আৰু চেণ্ট্‌পিটাৰ্ছবাৰ্গৰ প্ৰত্যেক কল-কাৰখানাৰ পৰা, সেই সেই কাৰখানাৰ বনুৱাৰ সংখ্যাৰ অনুপাতে প্ৰতিনিধিয়ে এখন সভাত গোট খাই, এই ধৰ্ম্মঘট চলাইছিল। ১৯১৭ চনৰ বিপ্লৱতো সেই একে নিয়ম প্ৰবৰ্ত্তিত হৈছিল; তেতিয়া সৈন্যবিভাগ আৰু গাওঁ-বিলাকতো এই 'চোভিয়েট' প্ৰথা বিয়পি পৰে। এই 'চোভিয়েট'বোৰত বনুৱা আৰু খেতিয়কবিলাকহে মাথোন সোমাব পাৰিছিল, আৰু ই সদায় মধ্যবিত্ত সম্প্ৰদায়ক ঘৃণাৰ চকুৰে চাইছিল। বিপ্লৱৰ সময়ত 'চোভিয়েট'বোৰে অস্থায়ীভাৱে দেশৰ শাসনকাৰ্য্যৰ ভাৰ লৈছিল, আৰু লেনিনে জনসাধাৰণৰ প্ৰতিনিধিত্ব লৈ শাসক সম্প্ৰদায়ৰ পৰা শাসন যন্ত্ৰ কাঢ়ি লোৱাৰ পিছত, এই 'চোভিয়েট'বোৰক ৰাইজৰ প্ৰতিনিধি সভা বুলি স্বীকাৰ কৰি, ইয়াৰ জৰিয়তে শাসনকাৰ্য্য চলাবলৈ ধৰিলে। সেই কাৰণেহে ৰুছিয়াৰ বৰ্ত্তমান নাম হৈছে—য়ুনিয়ন অৱ ছোছিয়েলিষ্ট্ চোভিয়েট ৰিপাব্লিক (U. S. S. R.)।

আচলতে কমিউনিজ্‌ম্ কথাষাৰিয়ে আমি ওপৰত কোৱা মতে শাসনপ্ৰণালীৰ আদৰ্শ বিশেষক বুজায়, আৰু 'চোভিয়েট' শব্দটিয়ে বনুৱা আৰু খেতিয়ক শ্ৰেণীৰ প্ৰতিনিধিমূলক শাসনপ্ৰণালীক বুজায়। গতিকে এই হিচাপে দুয়োটা শব্দ মূলত একে নহয়, এটি আদৰ্শ আনটো প্ৰণালী বা পদ্ধতিবিশেষ। কিন্তু বৰ্ত্তমানে সাধাৰণতঃ শব্দ দুটিৰ মাজৰ পাৰ্থক্য ক্ৰমান্বয়ে কমি আহিছে। কাৰণ এই 'চোভিয়েট'বোৰৰ প্ৰত্যেক সভ্য কমিউনিষ্ট্ হব লাগিব; গতিকে চোভিয়েটৰ সভ্য বুলিলে কোনো মানুহ যে কমিউনিষ্ট্, এই কথা এনেয়ে ওলাই পৰে। সকলোবোৰ চোভিয়েটৰ ওপৰত যি মূল শাসনসভা, তাৰ নাম চোভিয়েট কংগ্ৰেছ।

আকৌ আন এটি শব্দ পোৱা যায়—ছোছিয়েলিজ্‌ম্। ছোছিয়েলিজমৰ অৰ্থ সাম্যবাদ। কমিউনিজ্‌ম্ আৰু ছোছিয়েলিজ্‌ম্ এই দুয়োটা কথা কাৰ্ল মাৰ্ক্সৰ ৰাজনৈতিক আদৰ্শৰ পৰা ওলোৱা, আৰু আচলতে যদিও মাৰ্ক্সৰ যি আদৰ্শই সামাজিক বিপ্লৱৰ সহায়েৰে নতুন সমাজ গঠন কৰিব খুজিছিল, সেই আদৰ্শৰ নাম ছোছিয়েলিজ্‌ম্, আৰু যি প্ৰণালীৰে এই সমাজ গঠিত হব, সেই বিপ্লৱমূলক প্ৰণালীৰ নাম কমিউনিজ্‌ম্, তথাপি আজিকালি এই দুয়োটি শব্দকে প্ৰায়শঃ একে অৰ্থতে ব্যৱহাৰ কৰা হয়। ধনীতন্ত্ৰমূলক সমাজৰ পৰা যি পদ্ধতিৰ সহায়েৰে সাম্যবাদমূলক সমাজ গঠন কৰা হয়, সেয়ে কমিউনিজ্‌ম্—বৰ্ত্তমানে ৰুছিয়াৰ সমাজ কমিউনিষ্টিক। এই আদৰ্শ সম্পূৰ্ণৰূপে কাৰ্য্যত পৰিণত হলে, সমাজ সাম্যবাদৰ ওপৰত প্ৰতিষ্ঠিত হব। কিন্তু ছোছিয়েলিজ্‌ম্ বা সাম্যবাদ কথাষাৰিক নানাজনে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰাত, নানা গোলমালৰ সৃষ্টি হৈছে আৰু প্ৰফেছৰ হাৰ্ণশ্বই তাৰ প্ৰায় এশটা অৰ্থ দিছে। আন এজনে লিখিছে যে যেয়ে পায়, সেয়ে পিন্ধোতে পিন্ধোতে টুপী এটাৰ গঢ় নষ্ট হোৱাৰ দৰে ছোছিয়েলিজমৰো প্ৰকৃত অৰ্থ ক্ৰমে লোপ পাই আহিছে। যিকি নহ'ক, আমি এইষাৰ কথা মনত ৰাখিব পাৰোঁ যে ৰুছিয়াৰ বৰ্ত্তমান শাসনপ্ৰণালী কমিউনিষ্ট পদ্ধতিৰ আৰু ই পদ্ধতিৰ মাজেদি কমিউনিষ্টসকলে যি আদৰ্শেৰে সমাজ গঢ়িছে, তাৰ নাম ছোছিয়েলিজ্‌ম্।



সম্পাদকীয়

অসমত বিদেশী কাকত

যোৱা ৬ ডিছেম্বৰ তাৰিখে কলিকতাৰ আশুতোষ বিল্ডিঙত এ, এছ, এল, ক্লাবৰ সভা এখন বহিছিল। সেই সভাত দুটা প্ৰস্তাৱ পাছ হৈছে। প্ৰস্তাৱ দুটা বৰ্ত্তমান সময়ত অসমীয়া জাতিয়ে বিশেষ বিবেচনা কৰি চাব লগীয়া। ১মটোৰ ভাবাৰ্থ হৈছে—বঙ্গদেশৰ যিবিলাক কাকতে অসমৰ হক আৰু ন্যায্য দাবী প্ৰকাশলৈ সুবিধা নিদি, কেৱল অসমৰ পৰা টকা চুচিছে আৰু অন্যায়ভাৱে অসমীয়াৰ স্বাৰ্থ ক্ষুণ্ণ কৰি নিজ স্বাৰ্থ পূৰণ কৰিবলৈ বিচাৰিছে সেই বিলাক কাকত অসমীয়া সমাজে এতিয়াৰ পৰা লবলৈ এৰিব লাগে।

প্ৰস্তাৱটো অপ্ৰত্যাশিতভাৱে আহি ওলোৱা বুলি কোনোবাই ভাবিব পাৰে। আৰু এনেকি আমাৰ অতি উদাৰ দুই এজনে ইয়াৰ ভিতৰত কিবা সংকীৰ্ণতাৰ গোন্ধো থকা বুলি সন্দেহ কৰিব পাৰে। কিন্তু কাৰ্য্যতঃ সংসাৰত যি দেখা যায়, নিজৰ বা জাতিৰ উন্নতিৰ নিমিত্তে পৃথিবীৰ স্বাধীন জাতিবিলাকেও যিবিলাক ব্যৱস্থা কৰি আহিছে সেইবিলাকলৈ মন কৰিলে এই প্ৰস্তাৱলৈ তেনে কোনো ভাব হব নোৱাৰে। তাৰ পৰিবৰ্ত্তে বৰং এনে জাতীয় সংৰক্ষণৰ উপায় ইমান দিনেও কিয় কোনেও ডাঙ্গি ধৰা নাছিল, সেই বুলিহে আক্ষেপ কৰিবলগীয়া হব পাৰে, যেন লাগে। যিসকলে জাতীয় হিতাহিত, অসমীয়াৰ উজ্জ্বল ভবিষ্যৎ আৰু বৰ্ত্তমান দুৰৱস্থাৰ কাৰণ সামান্য মাত্ৰও চিন্তা কৰে তেওঁলোকে দেশৰ ভবিষ্যতৰ আশাৰ স্থল—কলিকতাপ্ৰবাসী ডেকাসকলৰ দেশৰ স্বাৰ্থ বজায় ৰাখিবলৈ কৰা এই প্ৰস্তাৱৰ বাবে তেওঁলোকলৈ আন্তৰিক ধন্যবাদ নজনাই নোৱাৰে।

আমি জনাত এই ডেকাসকলে যোৱা ১২ চেপ্টেম্বৰত কলিকতাৰ এলবাৰ্ট হলৰ সভাত অসমৰ বুকুৰ মঙহ কাছাৰ-গোৱালপাৰালৈকে স্বাৰ্থপৰ বঙালীসকলৰ আক্ৰোশ প্ৰকাশৰ দিনৰে পৰা অসমৰ হক বজায় ৰাখিবলৈ নানাভাৱে চেষ্টা কৰি আহিছে। বঙালী কিছুমানে কাছাৰ আৰু গোৱাল-পাৰাকো ছিলেটৰ লগত টানিবলৈ নানা অযুক্তিসঙ্গত দাবী জনাই তেওঁলোকৰ দৈনিক, সাপ্তাহিক, মাহেকীয়া আদিৰ ভিতৰেদি আন্দোলন চলাইছে। সেইবিলাকে অসমৰ পক্ষৰ বহু যুক্তিপূৰ্ণ প্ৰতিবাদকো ছপোৱা নাই। এনেকি অসমৰ নানা সমস্যা সম্বন্ধে ভাল আলোচনাকো, সি লাগে প্ৰতিবাদ নাইবা তেওঁলোকৰ স্বাৰ্থহানিলৈ ভয় থকা একো নহকে, সম্ভৱতঃ তেওঁলোকে তল পেলাই ৰাখিবলৈ বিচৰা অসমৰ গৰিমা নাইবা তাৰ বিষয়ে ভাল

কিবা ওলাই পৰিব বুলি, বোধ হয় তাকো প্ৰকাশ কৰিবলৈ আমাৰ কিছুমানৰ নানা চেষ্টা যত্ন সত্বেও তেওঁলোকে কৰা নাই। আমি সেই কথাৰ সন্ধেদ পাওঁ। এনেবিলাক দেখি মনে নকবি নোৱাৰিবে যে সেইবিলাক কাকতৰ অসমত ধন ঘটাৰ বাহিৰেও বোধহয় আৰু কিবা গভীৰ উদ্দেশ্য আছে। আৰু সেই উদ্দেশ্য বোধহয় অসমবাসী সকলক তেওঁলোকৰ নিজ সত্বা উপলব্ধি কৰিবলৈ সুযোগ নিদি তেওঁলোকৰ কাকতেৰে যিমানখিনি সম্ভৱ বঙ্গদেশৰ প্ৰাধান্য প্ৰচাৰ কৰি গোটেই অসমকে বৃহত্তৰ বঙলাৰ বুৰুঞ্জি সামৰিবলৈ বুলি অনুমান কৰিলে সত্যৰ অপলাপ কৰা নহয় বোধকৰোঁ।

এনে বৃহত্তৰ বাঙলা গঠনৰ পাণ্ডা কিছুমানৰ অযাচিত হিতোপদেশ আমি প্ৰায়েই পাই থাকোঁ যে অসমীয়া ভাষা এদিনে এবিব নোৱাৰিলেও আমি এনে এটা মহান (?) উদ্দেশ্ত লৈ কাকত-পত্ৰবিলাক চলোৱা উচিত যাতে ই লাহে লাহে গৈ এদিন বঙলা ভাষাৰ লগত এক হৈ মিলি যাব পাৰে। আমি ইয়াক সেই হিতাকাঙ্ক্ষী সকলৰ বিকৃতি বা আস্পৰ্দ্ধা বুলি ভাবিলেও অসমৰ ওপৰত আকৌ আধিপত্য স্থাপিবলৈ কিছুমানৰ অদম্য ইচ্ছা এটা আছে। অন্তঃগে নিজ প্ৰাধান্ত বিস্তাৰৰ চেষ্টা কৰাই মানুহৰ পক্ষে স্বাভাবিক; কিন্তু তাৰ এটা সীমা থাকিব লাগে। সেই সীমা নথকা যেনে অস্বাভাৱিক, আমাবো আত্মৰক্ষাৰে এতিয়াও ভাব নজন্মাটো তেনে আচৰিত। এনেবিলাক নানা বহস্ত আৰু উদ্দেশ্ত বুজিও সেইবিলাক কাকতলৈ সহানুভূতি দেখুৱাবলৈ গৈ নিজ দেশৰ কাকত পত্ৰবিলাকৰ স্বাৰ্থ লৈ পিঠি পৰে; ফলত অসমীয়া কাকতৰ উন্নতি সুদূৰ পৰাহত হয়। কিন্তু দেশৰ চালুকীয়া কাকত পত্ৰ প্ৰতিষ্ঠানৰ (অসমত কাকত কিতাপ প্ৰকাশ কৰাক এতিয়ালৈ ব্যৱসায় আখ্যা দিব পৰা হোৱা নাই) বাধাবিপদ সংবক্ষণ নীতিবে আত্মৰাখব বিশেষ আৱশ্যকতাক সংকীর্ণতা বুলি অৱহেলা কৰা অনুচিত। বৰং বৰ্তমানৰ প্ৰতিযোগিতাৰ দিনত দেশৰ স্বাৰ্থসিদ্ধিৰ এয়ে একমাত্ৰ উপায় বুলি ই সকলো অসমীয়াবে গ্ৰহণীয় হোৱা উচিত। কলিকতাৰ এ, এছ, এল ক্লাবে সম্প্ৰতি দেশৰ সমস্তা কিছুমান সমাধানৰ বাবে যি উপায় উদ্ভাবন কৰি প্ৰস্তাব পাছ কৰিলে সেই বিষয় সকলো অসমীয়াই ভাবি চাব লগীয়া। আৰু তেনে প্ৰস্তাব গোটেই সময়ত কাৰ্য্যকৰী হলে অনেক জাতীয় কল্যাণ সাধিত হব বুলি আশা কৰিব পাৰি।

সভাত শ্ৰীযুত হৰেজনাথ শৰ্ম্মা, বি-এ ডাঙৰীয়ই 'আমাৰ জাতীয় চৈতন্ত'ৰ বিষয় নানা সুচিন্তিত কাৰ্য্য-প্ৰণালীৰ আলোচনামূলক বচনা এখন পাঠ কৰিছিল। তাক আন ঠাইত প্ৰকাশ কৰা হৈছে।

কলিকতা এ, এছ, এল ক্লাবৰ ২য় প্ৰস্তাব

উক্ত দিনতে এই সভাই পাছ কৰা ২য় প্ৰস্তাবৰ অৰ্থ হৈছে—আজিকালি বীমা কোম্পানী বিলাকে অসমৰ পৰা অলেখ টকা নি কাৰবাৰ কৰিব লাগিছে। এইবিলাক কোম্পানীয়ে অসমত কাম কৰিবৰ নিমিত্তে বহুত চীফ এজেণ্ট, অৰ্গেনাইজাৰ, এজেণ্ট আদি নিযুক্ত কৰিব লাগিছে। এতিয়া সেইবিলাক কামৰ নিমিত্তে অসমীয়াক নিযুক্ত কৰিলে আমাৰ বহি-পঢ়া শিক্ষিত ডেকা কিছুমানৰ সুবিধা ওলায়। সেই নিমিত্তে অসমীয়া মানুহ নিযুক্ত কৰিবলৈ সভাই নিজে বীমা কোম্পানী বিলাকলৈ দাবী জনায়। আৰু অসম ছাত্ৰসভা, আৰু আন আন প্ৰতিষ্ঠান বিলাকে যাতে তাকে কৰে আৰু যাতে কোনো বিদেশী এজেণ্টৰ দ্বাবাই বীমা নকৰে তাৰ নিমিত্তে আন্দোলন চলাবলৈ সেই সকলক অনুবোধ কৰে।

আমাৰ দেশত বীমা কোম্পানী নাই যেতিয়া বৰ্ত্তমান ক্ষেত্ৰত দেশৰ আংশিক স্বাৰ্থও বক্ষায় বাখিবলৈ এনে প্ৰস্তাব কবাব বাহিবে তেওঁলোকৰ আন উপায় একো নাই। আৰু এনেদবে সামান্ত স্বাৰ্থ উদ্ধাৰ কবাও যথাৰ্থভ সন্দেহ নাই। কিন্তু আজিকালিব দিনতো আমাব দেশব মানুহে নিজা বেঙ্ক-বীমা প্ৰতিষ্ঠা কবি তুলিব নোৱাবাত গোটেই অসমীয়া জাতিবে অক্ষমতাব চিন ওলাই পবিছে। অথচ ই এনে একো নহয় যে অসমীয়া জাতিব তালৈ যোগ্যতা নাই আৰু ই এনে কিবাও নহয় যে গোটেই অসমীয়া জাতিব উমৈহতীয়া শক্তিয়ে ইয়াব পাব পাব নোৱাবে। আমাব মনেবে ই প্ৰধানতঃ তৎপৰতাৰ কথা, দেশবাসীৰ দেশীয় অনুষ্ঠানৰ প্ৰতি আস্থাৰ কথা। কিন্তু এই আস্থাৰ বিষয়ত দেখোঁ নিবাশৰ কাৰণ একো নাই। কাৰণ আজি অসমীয়াই দেশৰ নামত দেশী বুলি যিমানখিনি সহানুভূতি প্ৰকাশ কবে সি বিশেষ আশাপ্ৰদহে। অথচ অসমীয়া হিচাপে বিচাৰ কৰিব গলে সেইবিলাক সকলো বিদেশী বুলি কলেও অন্যায় নহয়। নিজ দেশত নাই বুলি ভাৰতীয় যি, তাকে যদি আমাব মানুহে দেশী বুলি সহানুভূতি দেখুৱায় তেনেহলে অসমীয়াৰ নিজস্ব কিবা গড়ি উঠিলে তালেও সহানুভূতিব অভাৱ হব বুলি সন্দেহ কৰিবৰ কাৰণ নাই। লাগে মাত্ৰ উৎসাহেবে কামত নামিব। আৰু লাগে সময়ৰ শৰ সময়তে মাৰিব।

যিকি নহক ক্লাবৰ সভ্যসকলৰ উপস্থিত বুদ্ধি আৰু বুধশিতাৰ বাবে আমি তেওঁলোকলৈ ধন্তবাদ নজনাই নোৱাৰোঁ। তেওঁলোকৰ ক্ষমতাৰ অনুপাতে যি কবিবলৈ আগ বাঢ়িছে সেয়ে আমাৰ দেশত এটা নতুন অনুপ্ৰেৰণা জগাই তুলিব পাৰিব বুলি আশা কবা যায়।

জাতীয় অস্তানির্ভবশীলতা

বৰ্ত্তমানে কিছুমান যন্ত্ৰপাতি আৰু বিশেষকৈ বাজনৈতিক ক্ষমতাৰ বাহিবে প্ৰায় আন সকলো বিষয়তে ভাবতে এটা জাতি হিচাপে অন্মনির্ভৰ কবিব পবা হৈছে। যন্ত্ৰপাতিব কথা এবি দি আন সকলো স্বদেশী বস্তুব ওপবতে আজিকালি চলিব পবা যায়; এনেকি, চৌধীন সকলেও দেশী বস্তুবে তেওঁলোকৰ হাবিবাস পলাব পবাকৈ দেশী বস্ত্ৰ বাহিব হৈছে। ই বব সুখব কথা। কিন্তু ইয়াতে ভাবিব লগীয়া বিষয় হৈছে, আত্মনির্ভবতাব আৱশ্যক ভাবতীয় হিচাপে যিমানখিনি, অসমীয়া হিচাপে সেই আৱশ্যকতা তাতকৈ কোনো অংশে কম হব নোৱাবে। পিছে আমি অসমীয়াই এতিয়ালৈ আনব বস্তুকে চাই আৰু ব্যহাব কবি সন্তোষ লাভ কবি নিজে একোকে হাত দিবলৈ আগ নবঢ়াটো নিজব আৰু জাতিব স্বাৰ্থহানি কবাব বাহিবে আন একো কবা নাই।

আজিকালি দেশী বস্তুব আদব বৰকৈ বাঢ়িছে। এনে সোণালী সুযোগব সময়ত আমাব ডেকাসকলে আগবাঢ়ি আহি দেশব নাম-যশ বাখিবলৈ চেষ্টা কবিলে তেওঁলোকব নিজ জীবন সুখী আৰু গৌববময় হোৱাব লগে লগে দেশো ধন্ত হব।

সম্প্ৰতি ওৱাহাটীত 'দি কামৰূপ মায়াবিনী কেমিকেল বৰ্কচ' নামে অসমীয়া প্ৰতিষ্ঠান এটি গড়ি তুলিবৰ চেষ্টা হৈছে। আৰু ইয়াৰ ভিতবতে তাব পবা 'মায়াবিনী তেল,' 'চেনেহী চিয়াহী' আদি নিতে ব্যবহাৰৰ বস্তু ওলোৱা বব সুখব কথা হৈছে। আশাকবোঁ এনেকে দেশত আন আন প্ৰতিষ্ঠান গড়ি উঠিব আৰু তালৈ আমাব দেশবাসীব মনোযোগ আকর্ষণ কবিব।

পোষ্ট অফিচৰ নতুন বোজা

এনেই মানুহৰ অভাৱৰ সীমা নাই, তাৰ ওপৰত নানা নতুন টেক্স আদি বহুৱাৰ বাহিবেও যোৱা ১৫ ডিচেম্বৰৰ পবা ২। তোলা ওজনতকৈ চিঠিত পাঁচ পইছা আৰু তাৰ ওপৰত প্ৰতি ২॥০ তোলা বা তাৰ অংশৰ বাবে পাঁচ পইছা বেছি লাগিব। পোষ্টকার্ডৰ বেচ তিন পইছা কবা হৈছে। কোনো কার্ড যদি কোনোবাই এতিয়াৰপবা ৩ পাইৰ টিকিট নলগোৱাকৈ দিয়ে তেন্তে তাক নষ্ট কবি পেলোৱা হব। টেলিগ্ৰাফ মণিঅর্ডাৰৰ ফিও আগৰ নিয়মৰ বাহিবেও প্ৰতিধনত ৵০ অনাকৈ বেছি দিব লাগিব, সি যিমান টকাবে নহক।

চবকাৰৰ অনাটন অন্তহা পুবাবলৈ এইবিলাক ব্যৱস্থা কবি মবাৰ গাত ঘা মাবিবলৈ বিচবা হৈছে, কিন্তু সেনা-বিভাগৰ খবচ চবকাৰী আয়ৰ শতকবা ৬৬ টকা। এই বিলাক বৈষম্যৰ নিমিত্তেই ভাবতবাসীয়ে দেশৰ সম্পূর্ণ কর্ত্তৃত্ব বিচাবিছে। এনেবিলাক সদ্গুণ বিবেচনাৰ অভাৱৰ কাৰণেই আগেয়ে বৃটীছ শাসনলৈ আস্থা থকাজনো এতিয়া লাহে লাহে বিশ্বাস হেকৰাই বিপৰীত পন্থী হবলৈ বাধ্য হৈছে।

যি কি নহ'ক এতিয়াৰ পবা আৱাহনলৈ যি বিগ্ৰাহী কার্ড নাইবা টিকিট পঠিয়াৰাৰ দবকাৰ তাক যেন এই বৰ্দ্ধিত হাবে পঠিয়া হয়।

ৰাউণ্ড টেবল কনফাৰেন্সৰ পৰিণতি আৰু ভাৰতৰ ভবিষ্যৎ

এইবাৰ ২য় ৰাউণ্ড টেবল কনফাৰেন্স শেষ হ'ল। ই মাজতে এবাৰ ভাগি যায় যায় যেন দেখা গৈছিল। যিকি নহক মহাত্মাজীৰ অসীম ধৈৰ্য্যৰ বলত সি হব নোৱাৰিলে। কিন্তু এই বৈঠকৰ পৰা নতুন কিবা লাভ হ'ল বুলি চিৰসন্তুষ্ট বা অলপতে সন্তুষ্ট যিসকল, তেওঁলোকৰ বাহিৰে আনে ভাবিব পৰা নাই। কাৰণ ইয়াৰ সিদ্ধান্ত বিশেষকৈ ১ম বৈঠকৰে পুনৰাবৃত্তি মাথোন। প্ৰধান মন্ত্ৰীয়ে যি বিবৃতি প্ৰকাশ কৰিছে তাৰপৰা ভাৰতৰ ভাবী শাসনৰ স্বৰূপ বিশেষ কিবা স্পষ্ট হৈছে বুলি মনত নধৰে। তাৰ ফলত ভাৰতৰ ৰাজনৈতিক আকাশ কনফাৰেন্সৰ আগেয়ে যেনে ডাৱৰীয়া আছিল এতিয়াও তেনেই থকা যেন দেখা গৈছে। অৱশ্যে শ্ৰীযুত শাস্ত্ৰী, চাপ্ৰু, জয়াকৰ প্ৰমুখ্যে নেতা সকলে ইয়াতেই ভাৰতবাসীক সন্তুষ্ট হবলৈ কলেও কাৰ্য্যতঃ ভাৰতৰ কোনো ঠাইৰে পৰা তেনে ভাব লক্ষ্য কৰিব পৰা নাই। বৰং প্ৰায় সকলো ঠাইৰে পৰা বিপৰীত ভাব হে ফুটি ওলাইছে। আৰু স্বয়ং মহাত্মা গান্ধীয়েও এই ঘোষণাত সন্তোষ প্ৰকাশ কৰিব নোৱাৰি দুখ পাইছে বুলি কবলৈ বাধ্য হৈছে।

ইফালে কনফাৰেন্সৰ অধিবেশন শেষৰ পিছতে বৃটীছ পাৰ্লামেণ্টত প্ৰধান মন্ত্ৰীৰ ঘোষণাৰ ওপৰত ভাৰতীয় নীতি বিষয়ে তুমুল তৰ্ক-বিতৰ্ক হৈছিল। তাতে এই ঘোষণাৰ অৰ্থ যেনেভাৱে বিশ্লেষণ কৰা হৈছে তালৈ মন কৰিলে সকলো কথা ফটফটীয়াকৈ ওলাই পৰে। অৱশ্যে প্ৰধান মন্ত্ৰীৰ প্ৰস্তাৱৰ বিৰুদ্ধে মিঃ চাৰ্চ্চিলৰ সংশোধন প্ৰস্তাব নৰল। তথাপি প্ৰধান মন্ত্ৰী মিঃ মেকডোনাল্ডে মিঃ চাৰ্চ্চিলক তেওঁৰ প্ৰস্তাব তুলি লবলৈ অনুৰোধ কৰোতে এনেদৰে নিৰ্ভয় দিব লগীয়া হৈছিল—গভৰ্ণমেণ্টৰ পক্ষৰ পৰা তেওঁ কৰা ঘোষণাৰ লগত "ৱেষ্ট মিন্‌ষ্টাৰ আইনৰ" কোনো সম্বন্ধ নাই। অৰ্থাৎ 'ৱেষ্ট মিন্‌ষ্টাৰ ষ্টেচুট'ত কেনেডা, অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকা আদি উপনিবেশ বিলাকক যিবিলাক অধিকাৰ দিয়া হৈছে ভাৰতক সেইবিলাক দিয়া নহব। আকৌ তাৰ বাহিৰেও তেওঁৰ কথাৰ পৰা এইখিনিও প্ৰকাশ পায় যে ভাৰতে যদি কেতিয়াবা পূৰ্ণ দায়িত্বশীল শাসনতন্ত্ৰ পায়, তেনেহলেও 'ৱেষ্ট মিন্‌ষ্টাৰ ষ্টেচুট'ৰ ভিতৰলৈ তাক অনা হব নে নহয় তাৰ স্থিৰ নিশ্চয়তা একো নাই।

আকৌ শ্ৰমিক দলৰ নেতা মিঃ লেন্সবাৰীৰ প্ৰশ্নৰ উত্তৰতো মিঃ মেকডোনাল্ডে স্পষ্ট ভাষাত কব লগীয়া হৈছিল যে ভাৰতক ঔপনিবেশিক কৰ্ত্তৃত্ব দিবলৈ কোনো প্ৰশ্নই উঠিব নোৱাৰে। আৰু যিমান দিন তাৰ শাসনতন্ত্ৰত ৰক্ষাবিধিৰ ব্যৱস্থা থাকিব তিমান দিন তেনে কোনো কথা নুঠেও। ভাৰত সচিব মিঃ চেমুৱেল হোৰেও মিঃ চাৰ্চ্চিলৰ আশঙ্কা নিবৃত্তিৰ অৰ্থে যি অভয়বাণী প্ৰচাৰ কৰিছিল তাৰ অৰ্থ বিশ্লেষণ কৰি চালেও মুঠ কথা এয়ে ওলাই পৰে যে ভাৰতে এতিয়াই ঔপনিবেশিক শাসনৰ ভাৰ পাব নোৱাৰে। পূৰ্ণ দায়িত্বমূলক শাসনো পাব নোৱাৰে। যি পাব পাৰে, সি ৰক্ষাবিধি পৰিপূৰ্ণ আংশিক দায়িত্বমূলক শাসনহে।

এনেকৈ দুমাহ ধৰি ৰাতিৰ টোপনি ক্ষতি কৰি আৰু অলেখ টকা পইছা খৰচ কৰি যি কনফাৰেন্স শেষ কৰা হল তাৰ ফলাফল এনেদৰে পৰিলক্ষিত হৈছে। তাৰ বিশেষ একো সুফলেই ভাৰতবাসীৰ দৃষ্টিগোচৰ হোৱা নাই। কিন্তু ইয়াৰ ভিতৰতো কেৱল আশাৰ কথা এই খিনিয়ে যে এই আলোচনা ইয়াতে খাতাং হোৱা নাই। লণ্ডনৰ অধিবেশন শেষ হোৱা সত্বেও ভবিষ্যতে আকৌ কিবা মীমাংসা হবও পাৰে; তাৰ পৰীক্ষাৰ বাট বন্ধ হোৱা নাই।

সিফালে সেই ব্যৱস্থা থাকিলেও ৰাউণ্ড টেবল কন্‌ফাৰেন্স শেষ হোৱাৰ লগে লগে ইফালে ভাৰতত নানা নতুন অৰ্ডিনেন্স আদিৰে যেনে কঠোৰ পীড়নৰ ব্যৱস্থা হব লাগিছে, তালৈ চাই যদি ভাৰতৰ শেষ শক্তিৰ পৰীক্ষা চাইহে যি হয় বিহিত কৰিবলৈ বুলি গভৰ্ণমেণ্টে এনে ব্যৱস্থা বহল ৰখা যেন কোনোবাই ভাবে তেনেহলে বোধহয় তাত অন্যায় একো নহব। যি কি নহক মহাত্মা গান্ধীৰ অহিংস পতাকাৰ তলত আৱশ্যক হলে ভাৰতে যে আৰু বেছি ত্যাগ আৰু সহিষ্ণুতা দেখুৱাব পাৰিব সেই কথাৰ নতুনকৈ

পৰীক্ষা চাব লগীয়া সন্দেহ গভৰ্ণমেণ্টৰ হলেও স্বয়ং মহাত্মা আৰু সদৌ ভাৰতবাসীৰ তালৈ এধানো সন্দেহ নাই।

মিঃ চাৰ্চ্চিলৰ ৱেষ্টমিন্‌ষ্টাৰ আইন বা "ষ্টেচুট অব ৱেষ্টমিন্‌ষ্টাৰ" ভীতিত ভাৰতৰ লাভ

১৯৩০ খৃঃত লণ্ডনত বৃটীছ সাম্ৰাজ্যৰ ভিতৰুৱা যিবিলাক উপনিবেশ আছে তাৰ প্ৰতিনিধি সকলৰ এখন সভা বহিছিল। সেই সভাত প্ৰস্তাৱ গৃহীত হয় যে ভবিষ্যতে সকলো বিলাক বৃটীছ উপনিবেশ ভিতৰুৱা আৰু বৈদেশিক বিষয়ত স্বাধীন হব। আৰু উপনিবেশ বিলাকৰ কোনো বিষয়তে ইংলণ্ডৰ গভৰ্ণমেণ্টে হাত দিব নোৱাৰিব। সকলো বিষয়তে কেৱল বৃটীছ সম্ৰাটৰ তলতীয়া হৈ চলিব লাগিব। এই হিচাপে ইংলণ্ড আৰু এই উপনিবেশ বিলাক সমান অধিকাৰী সূত্ৰে একে সাম্ৰাজ্যৰ অধিকাৰ ভুক্ত হব। এই প্ৰস্তাৱ ইংলণ্ডৰ আইন অনুসাৰে বিধিবদ্ধ আৰু স্বীকৃত হৈছে।

এতিয়া মিঃ চাৰ্চ্চিলৰ ভয়ৰ কাৰণ হৈছিল, যদি কেনেবাকৈ প্ৰধান মন্ত্ৰীৰ ঘোষণা ইফাল সিফাল হৈ এই ষ্টেচুট অব ৱেষ্টমিন্‌ষ্টাৰৰ কাষ চাপেহি। যি কি নহক মিঃ মেকডোনাল্ডে তৎপৰতাৰে তেওঁৰ সেই ভীতি দূৰ কৰিবলৈ সক্ষম হোৱা বাবে যেনেকৈ তেওঁ মিঃ চাৰ্চ্চিলৰ ধন্যবাদৰ পাত্ৰ তেনেকৈ ভাৰত সম্বন্ধে তেওঁৰ অস্পষ্ট ঘোষণাৰ কিছু অংশ এই সুযোগতে স্পষ্ট হৈ উঠাৰ বাবে ভাৰতবাসীয়েও তেওঁৰ আৰু লগে লগে মিঃ চাৰ্চ্চিলৰ শলাগ লৈছে। মিঃ চাৰ্চ্চিল ভাৰতৰ আত্মনিয়ন্ত্ৰণৰ ঘোৰ বিৰুদ্ধবাদী হলেও তেওঁ অস্পষ্টবাদী নহয়। তেওঁৰ কৃপাতে বৃটীছ গভৰ্ণমেণ্টৰ স্বৰূপ কথা বহু সময়ত ওলাই পৰে।

ৰাউণ্ড টেবল কনফাৰেন্সত মহাত্মাজীৰ নিজ কৰ্ত্তব্য আৰু দায়িত্ব ব্যাখ্যা

ৰাউণ্ড টেবল কনফাৰেন্সৰ শেষত প্ৰধান মন্ত্ৰী মিঃ মেকডোনাল্ডৰ মহাত্মা গান্ধীলৈ সাদৰ আহ্বানৰ উত্তৰত মহাত্মাজীয়ে কংগ্ৰেচৰ পক্ষৰ শেষ কথাৰূপে যি কৈছিল তাৰ ভাবাৰ্থ,—আমি মিটমাট কৰিবলৈকেই আহিছিলোঁ। কিন্তু তাকে কৰিবলৈ প্ৰকৃত স্বাধীনতা আৰু সন্মান বজায় ৰব লাগে। প্ৰস্তাবিত 'ৰক্ষা'বিধি বিলাক ভাৰতৰ স্বাৰ্থৰ অনুকূল মুঠেই নহয়। আৰু কংগ্ৰেচক এই বৈঠকলৈ নিমন্ত্ৰণ কৰা হৈছিল যদিও গোটেই ভাৰতৰ প্ৰতিনিধি হিচাপে ইয়াৰ যি দাবী তাক গ্ৰাহ্য কৰা হোৱা নাই। মহাত্মাজীয়ে কয়—মই জানো সেই দাবী ইয়াত প্ৰতিপন্ন কৰা সম্ভৱ নহয়; কিন্তু তথাপি মই জোৰে সেই দাবী উপস্থিত কৰিম; কাৰণ মোৰ ওপৰত গুৰুদায়িত্ব আছে। আৰু তেওঁ কৈছিল, তেওঁ ভাৰতৰ নৰনাৰীক আকৌ আইন অমান্যৰ অগ্নিপৰীক্ষাত নেপেলাই সন্মানজনক মীমাংসা কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিব। কিন্তু যদি সফল নহয় তেনেহলে তেওঁ অতি আনন্দেৰে সেই অগ্নিপৰীক্ষালৈ আগবাঢ়িব। লৰ্ড আৰুইনে সেই পৰীক্ষা কৰি চাই বুজিব পাৰিছিল যে অৰ্ডিনেন্স বা লাঠী একোতে স্বাধীনতাৰ আকাঙ্খাৰ সোতত বাধা নপৰে। মহাত্মাজীয়ে আকৌ বিস্ময় প্ৰকাশ কৰি কয় যে তেওঁ ৱৰ্কিং কমিটি আৰু নিখিল ভাৰত ৰাষ্ট্ৰীয় সমিতি এই আটাই বিলাকৰে জীৱন বৃটীছ গভৰ্ণমেণ্টৰ হাতত যদিও, তেওঁৰ ভাৰতৰ মূক জনসাধাৰণৰ জীৱন ৰক্ষা কৰিবৰ ক্ষমতা যদি থাকে, তেনেহলে তেওঁ কেতিয়াও তাক এৰি নিদিয়ে।

তাৰ পিছত তেওঁ সংখ্যালঘিষ্ঠ সম্প্ৰদায়ৰ কথা উল্লেখ কৰি কয় যে বৃটীছ ৰাজত্বৰ আগেয়ে ভাৰতত এই সমস্যা নাছিল; আৰু এতিয়াও ভাৰতৰ হিন্দু মুছলমান উভয়ে গাওঁত মিলাপ্ৰীতিৰে বাস কৰে। সংখ্যালঘিষ্ঠ সম্প্ৰদায়ৰ মীমাংসা হব পাৰে বুলি তেওঁ এতিয়াও আশা কৰে। ইফালে কোনো বাধাৰে আইন অমান্য আন্দোলন বন্ধ কৰিবৰ দিন উকলিছে। তথাপি এটা নিষ্পত্তি তেওঁ বিচাৰিছে। তাৰ নিমিত্তে তেওঁ বিবেচনা কৰিবলৈও প্ৰস্তুত। লাগে মাত্ৰ তাৰে সুযোগ। অৱশ্যে মহাত্মাজীলৈ বৃটীছৰ বিশ্বাস থকা যেন দেখা গলেও তেওঁ দুখ প্ৰকাশ কৰে, তেওঁ যি প্ৰতিষ্ঠানৰ প্ৰতিনিধি সেই প্ৰতিষ্ঠানলৈ তেওঁলোকৰ শ্ৰদ্ধাৰ অভাৱ। কিন্তু মহাত্মাজীৰ মতে সেই প্ৰতিষ্ঠানৰ তুলনাত তেওঁৰ ব্যক্তিত্ব নগণ্য। আৰু কংগ্ৰেছৰ নিৰ্দ্দেশ নোহোৱাকৈ তেওঁৰ একো কৰিবৰ সাধ্য নাই।

অসমৰ অঙ্গ ছেদ কৰিবলৈ স্বাৰ্থান্বেষী সকলৰ তৎপড়তা

সম্প্ৰতি বঙ্গদেশৰ কে'বাখনো কাকতৰ ধুৰন্ধৰ সম্পাদক সকলে ছিলেটৰ লগতে কাছাৰ আৰু গোৱাল পাড়াকো টানিবলৈ তেওঁলোকৰ কাকতৰ প্ৰায় প্ৰতি সংখ্যাতে সম্পাদকীয় মন্তব্যেৰে জোৰ প্ৰচাৰ আৰম্ভ কৰিছে। তেওঁলোকৰ সেই দাবীৰ যথেষ্ট আৰু প্ৰকৃত কাৰণ ৰাম-শ্যামৰ সম্পাদিত কাকতত নাথাককচোন; কিন্তু সম্পাদন-সুযশত পকাচুলীয়া সকলৰ কাকততো

তাৰ পৰিবৰ্ত্তে এই বিলাক ঠাই তেওঁলোকক তেওঁলোকৰ স্বাৰ্থসিদ্ধিৰ বাবে লাগে এই গৰজৰ দুৰ্ব্বলতাক নানা শব্দ জালেৰে অভেদ্য কৰি সবল আৰু দৃঢ় দাবী ৰূপে দেখুৱাবৰ বৃথা চেষ্টা এটাৰ বাহিৰে আন একো দেখা নাযায়। এই প্ৰকৃত কাৰণৰ অভাবৰ দুৰ্ব্বলতা তেওঁলোকে বাহিৰত স্বীকাৰ কৰিবলৈ টান পালেও তাক অন্তৰে অন্তৰে মৰ্ম্মে মৰ্ম্মে অনুভৱ কৰে। সেই নিমিত্তে কোনোবাই তাৰ প্ৰতিবাদ পঠালে সাধাৰণতঃ সি প্ৰকৃত সত্য অৱস্থাৰ আলমেৰে অখণ্ডনীয় হোৱা হেতুকে নিজ স্বাৰ্থ সিদ্ধিৰ গৰজত সচা অধিকাৰৰ লেঠা ছিগি প্ৰচাৰ কাৰ্য্যত মন্দা পৰিব বুলি তাক প্ৰকাশ কৰিবলৈ তেওঁলোকে সাহ কৰিব নোৱাৰে। নহলে, আমি জনাতে তেওঁলোকৰ এই অসঙ্গত দাবীৰ বিৰুদ্ধে অসমৰ পক্ষৰ পৰা ন্যায় আৰু যুক্তি-সঙ্গত বহুখিনি প্ৰতিবাদ লিখি দি ছপাবলৈ অনুৰোধ কৰা হৈছিল। পাছে তাক কোনেও এবাৰো উলিওৱা দেখা নগল। ইয়াৰ কি কাৰণ থাকিব পাৰে? বাতৰি কাকতৰ ব্যৱসায়ী হিচাপে অসমৰ লগত তেওঁলোকৰ সম্বন্ধ কম নহয়। তেওঁলোকৰ কমখিনি কাকত অসমত বিক্ৰি নাযায়। সেই নিমিত্তে অসমৰ কিবা কব লগীয়া থাকিলে প্ৰকৃত বাতৰি কাকতৰ ব্যৱসায়ী হিচাপে তেওঁলোকে ধৰ্ম্মতঃ আৰু সৌজন্য ভাবিও তাক প্ৰকাশ কৰিবলৈ বাধ্য আৰু অসমীয়ায়ো তালৈ দাবী কৰিবৰ ন্যায়-সঙ্গত কাৰণ আছে। প্ৰকৃত-পক্ষে আজিও অসমত তেওঁলোকৰ কাকতে হেঁচি ধৰি আছে বুলিহে দেশীয় বাতৰি কাকত বিলাকে মূৰ তুলিব পৰা নাই। এফালে আসমৰপৰা সেই সুবিধা ভোগ কৰাত যেনেকৈ বিঘিনি নাছিল আনফালে তেনেকৈ অসমক মুখ বন্ধ কৰি মাৰিবৰ অসুবিধাত পেলাব নালাগিছিল। কিন্তু তেওঁলোকৰ বিপৰীত আচৰণৰ ভিতৰেদি তেওঁলোকৰ জাতীয় মনোভাবেই ফুটি উঠিছে। আৰু এনে সৰ্ব্বগ্ৰাহী স্বাৰ্থপৰতাৰ নিমিত্তেই তেওঁলোকে আজি কাছাৰ গোৱালপাড়ালৈ অসঙ্গত দাবী কৰিব ওলাইছে। এই দাবী আচলতে সেই বিলাক ঠাইৰ স্বাৰ্থলৈ চাই কেতিয়াও নহয়। সেই বিলাক ঠাইৰ স্বাৰ্থৰ লগত এই সকলৰ স্বাৰ্থৰ মিল হব নোৱাৰে বৰং সম্পূৰ্ণ বিপৰীতহে। অসমৰ আন এটা প্ৰধান অংশ কোচবিহাৰ, ৰংপুৰ, জলপাইগুৰি আদি জিলা আজি প্ৰায় দুশ বছৰৰ আগেয়ে বঙ্গদেশৰ কবলত পৰি আজিও কেনেকৈ কেকাই আছে তাক তলত উদ্ধৃত কথাখিনিৰ পৰা বুজিব পৰা যাব। ইং ১৯১৩ চনত কোচবিহাৰৰ বিশিষ্ট অধিবাসী কিছুমানে সেই সময়ৰ মহাৰাজা ভূপেন্দ্ৰ নাৰায়ণক এখন 'মেমোৰেণ্ডাম' দি তেওঁলোকৰ দুৰৱস্থাৰ কথা নিবেদন কৰিছিল—

...'Similarly a very poor result of success as regards the Native Students was achieved by the College and the Subdivisional High English Schools ever since their establishment. The reasons are not far to seek. All the State Offices, almost 99 per cent from top to bottom, are filled up by Foreigners who have made a monopoly of them either by State favour or by tact or stratagem of their own. The claims of the Natives, however qualified, have all along been overlooked, neglected, or totally ignored. Though the Ruler himself is a Native of the soil, and kith and kin of his subjects by virtue of his kinship with the people to which the bulk of the population belong, the Administration of the State is carried on by Foreign hands. The only plea is often asserted in support of this policy by those who are at the helm of affairs that the Natives, however qualified, are generally not up to the mark to carry on the business of the State, which is daily becoming more complex. But this is nothing more than a myth or dire falsehood. The history of the past as well as of the present stands to its refutation. In the early history of the State, some Rykots of Baikunthapore, the Dewandeos and Nazir deos of Balarampore who once saved this State in the troublous time of yore, had shown such courage, valour, sagacity of judgment and statesman-like qualities wheih can hardly be equalled.'

ইয়াৰ পৰাই আমাৰ বঙালী ভাই সকলে অনুমান কৰা উচিত যে আকৌ নতুনকৈ তেওঁলোকে চিকাৰ বিচাৰিলেও পুহনীয়া সকলেই দেখোন বিদ্ৰোহ কৰিবলৈ ওলাইছে। ইফালে অসমতো নিজ জাতি হিচাপে এই বিলাক ঠাইক আকৌ ফিৰাই পাবলৈ অসীম আগ্ৰহ দেখা গৈছে। ইয়াৰ ভিতৰতে অসমীয়াত ৰংপুৰৰ ৰায়ছাহাব পঞ্চানন বৰ্ম্মা ডাঙৰীয়াই শ্ৰীযুত কমলা

কান্ত ভট্টাচাৰ্য্য ডাঙৰীৰয়ালৈ যি চিঠি লিখিছিল সেই কথা ওলাই পৰিছে। সেই বিলাক ঠাইৰ আন আন মানুহৰো এই কথাই যেনে সহানুভূতি আকৰ্ষণ কৰিছে তালৈ চাই বোধহয় বঙালী ভায়া সকলে সম্প্ৰতি নিজৰ ঘৰ আগুৰিবলৈ বিচৰাহে বিবেচনাৰ কাম হব।

বিয়োগ-ব্যথা

বৰ দুখৰ বিষয় যে মেছপাড়াৰ (লক্ষীপুৰ) জমিদাৰ ৺নৰেন্দ্ৰ নাৰায়ণ চৌধুৰী ডাঙৰীয়াই এই মাহৰ প্ৰথম সপ্তাহতে ইহলোক এৰিলে। তেওঁ যেনে সৰল প্ৰকৃতিৰ তেনে স্বমতাবলম্বী মানুহ আছিল। চহৰতকৈ তেওঁৰ নিজ ঠাই তেওঁৰ বেছি আদৰৰ আছিল। তেওঁ বৰ বেছি দিন চহৰত থাকিব ভাল নাপাইছিল। তেওঁ নিজ জন্মভূমিতে প্ৰাণত্যাগ কৰে।

অসম সাহিত্য সভাৰ অহা শিৱসাগৰ অধিবেশনৰ সভাপতি শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী ডাঙৰীয়া, তেখেতৰ সৰু ভায়েক। শ্ৰীযুত সত্যেন্দ্ৰ নাৰায়ণ চৌধুৰী, বাৰ-এট-ল, শ্ৰীযুত প্ৰভাতচন্দ্ৰ চৌধুৰী আৰু শ্ৰীযুত তেজেন্দ্ৰ নাৰায়ণ চৌধুৰী এওঁলোক আটাই কেগৰাকী মেছপাড়া ষ্টেটৰ এটা চৰিকৰ মালিক। এওঁলোকৰ ভিতৰত ৺নৰেন্দ্ৰ নাৰায়ণ চৌধুৰী ডাঙৰীয়া সকলোতেকৈ ডাঙৰ। আকৌ মেছপাড়া ষ্টেটৰ উত্তৰাধিকাৰী সকলৰ ভিতৰতো তেৱেঁ ডাঙৰ। আগেয়ে এওঁলোকৰ বংশত ৰজা হোৱা প্ৰথা আছিল বুলি তেওঁ (Primogeniture claim) বংশৰ জ্যেষ্ঠ হিচাপে ৰজা হবলৈ দাবী কৰি মোকৰ্দ্দমা কৰিছিল। কিন্তু নিম্ন আদালত আৰু হাইকোৰ্টত দুয়োঠাইতে ঘাটিল। যিকি নহক হঠাৎ তেখেতৰ মৃত্যু ঘটাত সভাপতি শ্ৰীযুত চৌধুৰী ডাঙৰীয়া আৰু আন শোকসন্তপ্ত পৰিয়াললৈ আমাৰ সহবেদনা জনাইছো।

সমালোচনা

শ্ৰী—লিখক শ্ৰীযুত প্ৰতাপচন্দ্ৰ তালুকদাৰ, বি-এ বেচ—পাঁচ অনা।

ই এখনি স্বাস্থ্যবিষয়ক আৱশ্যকীয় পুথি, আৰু আমাৰ বিশ্বাস, এইখনিয়েই এই ধৰণৰ আমাৰ ভাষাৰ প্ৰথম কিতাপ। আজিকালি ভাৰতৰ বিভিন্ন প্ৰদেশত ডেকাসকলে নানা অনুষ্ঠান পাতি জাতিৰ স্বাস্থ্যোন্নতিৰ ফালে মন দিছে, বিশেষজ্ঞসকলে নানা ধৰণৰ পুথি বা প্ৰবন্ধ লিখি এই বিষয়ক জ্ঞান প্ৰচাৰ কৰিছে, তাৰু উঠি অহা ল'ৰা ছোৱালীবিলাকে ব্যায়াম অনুশীলনৰ দ্বাৰা নিজৰ নিজৰ শাৰীৰিক উন্নতি সাধন কৰিছে। এনেকি 'ভতুৱা বঙ্গালী' সকলেও যোৱা দহবছৰৰ ভিতৰত এই ফালেদি আচৰিত উন্নতি সাধিছে। আজি বঙ্গালী ল'ৰাবিলাকৰ হৃষ্টপুষ্ট শৰীৰ দেখিলে তেওঁলোকক বঙ্গালী বুলি কব নোৱাৰি, এনেকি ছোৱালীবিলাকেও যিদৰে স্বাস্থ্যোন্নতি বা শাৰীৰিক উৎকৰ্ষমূলক অনুষ্ঠানবোৰত যোগ দি নিজৰ অদ্ভুত ক্ৰীড়াকৌশলৰ দ্বাৰা জনসমাজক মোহিত কৰিছে, তাক দেখিলে বিস্ময় মানিব লাগে। কলিকতা চহৰৰ প্ৰত্যেক পাৰ্কতে পুৱা-গধূলি অকণমানি ল'ৰা ছোৱালীহঁতৰ নানা খেল দেখিলে মনত বিপুল হৰ্ষ অনুভূত হয়। কিন্তু আমাৰ অসমত আজিও এই সম্পৰ্কে কোনো জনহিতকৰ অনুষ্ঠান হোৱা নাই, আৰু অসমীয়া ডেকাসকলেও শাৰীৰিক পুষ্টি সাধনবিষয়ত বিশেষ উৎসাহ দেখুৱা নাই। জাতিৰ পক্ষে ই মঙ্গলৰ চিন নহয়। শিক্ষা-বিভাগৰ তলত শাৰীৰিক ব্যায়ামশিক্ষক কেবাজনো নিযুক্ত হৈছে, কিন্তু তেওঁলোকৰ তত্বাৱধানতো দেখোন ছাত্ৰসকলৰ মাজত বিশেষ উৎকৰ্ষৰ চিন পোৱা নগ'ল! ব্যায়াম-কুশল শ্ৰীযুত শশীচন্দ্ৰ বৰবৰুৱা বি, এ, আৰু শ্ৰীযুত বলীনাৰায়ণ বৰুৱা ডাঙৰীয়াৰ চেষ্টাত অসমীয়া ৰাইজৰ মাজত শৰীৰিক উৎকৰ্ষ সাধনৰ অৰ্থে কিবা সুবন্দোৱস্ত হব বুলি আশা কৰা গৈছিল, কিন্তু আজি পৰিমিত তাৰ কোনো চিন ওলোৱা নাই কিয়?

আমাৰ আলোচ্য 'শ্ৰী'ৰ লিখক বিষয়-বস্তুৰ আলোচনাত কিমান কৃতকাৰ্য্য হৈছে, সেই সম্বন্ধে বিশেষ নকৈ এইখিনিকে মাথোন কওঁ যে দেশৰ এই দুৰ্দ্দিনত স্বাস্থ্যবিষয়ক প্ৰথম পুথি বুলি অন্ততঃ 'শ্ৰী' অসমীয়া সমাজৰ আদৰণীয় হোৱা উচিত।

Madhuva Deva (মাধৱদেৱ)—A sketch of his life and doings

এই নামৰ সৰু কিতাপখনি দলগোমা সত্ৰৰ অধিকাৰ শ্ৰীযুত প্ৰভাত চন্দ্ৰ অধিকাৰী দেৱৰ দ্বাৰা ইংৰাজী ভাষাত প্ৰকাশ হৈছে।

অসমত বৈষ্ণৱ ধৰ্ম্মপ্ৰবৰ্ত্তক দুজনা গুৰুৱে সমসাময়িক ভাৰতৰ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰক চৈতন্যদেৱ, বল্লভস্বামী আৰু তেওঁলোকৰ অগ্ৰবৰ্ত্তী কবিৰ, গুৰু নানক, ৰামানুজ আদিতকৈ কোনোগুণে হীন তো নহয়েই, বৰং কোনো

কোনো বিষয়ত অধিক দূৰদৰ্শী বুলি আমি অলপো দ্বিধা নকৰাকৈ কব পাৰোঁ। কিন্তু আমাৰ দুৰ্ভাগ্যগুণে, গোটেই জগতৰ কথাকে নকওঁ ভাৰততেই তেওঁলোকে তেওঁলোকৰ প্ৰাপ্য সন্মান আৰু সমাদৰ আজিও লাভ কৰিব পৰা নাই। ইয়াৰ বাবে জগৰীয়া আমি অসমীয়াই হে। আমি তেৰাসকলৰ অলৌকিক কাৰ্য্যকলাপ আৰু অসামান্য জ্ঞান-গৰিমাৰ কথা জগতক জনাবলৈ কোনো উল্লেখযোগ্য চেষ্টা কৰা নাই। অধিকাৰীদেৱে মহাপুৰুষ মাধৱদেৱৰ জীৱন-কথা আৰু কাৰ্য্যাৱলী বিষয়ক এই সংক্ষিপ্ত পুথিখনি ইংৰাজীতে লিখি এপিনে যেনেকৈ জগতবাসীক মহাপুৰুষৰ বিষয়ে জানিবলৈ সুযোগ দি জগতবাসীৰ ধন্যবাদৰ পাত্ৰ হৈছে, আনপিনে তেনেকৈ গোটেই অসমক কৃতজ্ঞতাৰ জৰীৰে বান্ধি থৈছে। অধিকাৰীদেৱ নিজে সত্ৰাধিকাৰ, গতিকে তেওঁ এই বিষয়ে মনোযোগী হোৱাও বৰ সন্তোষৰ কথা হৈছে। আশা কৰোঁ যিসকলৰ ওপৰত মহাপুৰুষীয়া ধৰ্ম্ম প্ৰচাৰৰ ভাৰ আছে তেওঁলোকৰ ভিতৰৰ শিক্ষিত সকলে অধিকাৰীদেৱৰ মহৎ উদ্দেশ্যৰ দ্বাৰা অনুপ্ৰাণিত হৈ মহাপুৰুষৰ বিমল যশোৰাজি জগতবাসীৰ আগত প্ৰকাশ কৰিবলৈ চেষ্টা কৰিব। এই বিষয়ৰ আগৰণুৱা শ্ৰদ্ধেয় অধ্যাপক কাকতীদেৱৰ Sankardev (শঙ্কৰদেৱ)খনিয়ে শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰচাৰিত ধৰ্ম্মৰ প্ৰতি ভাৰতৰ আন আন প্ৰদেশৰ শিক্ষিত লোকসকলৰ শ্ৰদ্ধা আৰু অনুৰাগ যথেষ্ট পৰিমাণে বঢ়াইছে; আৰু আজি যে মাদ্ৰাজী লেখকৰ দ্বাৰা শঙ্কৰদেৱ আৰু তেওঁৰ ধৰ্ম্মৰ বিষয়ে From Vivekananda to Chaitanya বোলা কিতাপত বিস্তৃত আলোচনা হৈছে, তাৰো মূলত কাকতীদেৱৰ সেই কিতাপখনিয়েই। এতিয়া অধিকাৰীদেৱৰ এই কিতাপখনিয়েও মহাপুৰুষৰ আৰু মহাপুৰুষীয়াৰ প্ৰতি বিদেশীৰ শ্ৰদ্ধা আকৰ্ষণ কৰি অসমৰ গৌৰৱ বঢ়াব বুলি আশা কৰিব পাৰি।

কিতাপখনৰ ভাষা শুৱলা আৰু লিখাৰ ঠাঁচ বিতোপন হৈছে। লিখকে অলপ কথাৰে মহাপুৰুষ মাধৱদেৱৰ জীৱনৰ জানিব লগীয়া সকলো ঘটনা আৰু তেওঁৰ ধৰ্ম্মমত বিষয়ক সকলো কথাকে পৰিপাটিকৈ লিখি বিশেষ কৃতিত্ব দেখুৱাইছে। স্বদেশী আৰু বিদেশীৰ মাজত এই কিতাপখনিৰ বহুল প্ৰচাৰৰ কামনা কৰি, অধিকাৰীদেৱৰপৰা এই বিধৰ বিস্তৃত কিতাপ এখন সোনকালে পাম বুলি আশা কৰিলোঁ।

এই কিতাপখনৰ ভিতৰত থকা Madhava's Nephew—Ram Charan নামৰ অধ্যায়টো ইয়াত অপ্ৰাসঙ্গিক হৈছে। অধিকাৰীদেৱে ইচ্ছা কৰে যদি ৰামচৰণ ঠাকুৰৰ বিষয়ে এখনি বেলেগ কিতাপ লিখি প্ৰকাশ কৰিব পাৰে, কিন্তু এই কিতাপখনৰ খাপ নোখোৱা এই অধ্যায়টো তুলি দিয়াটোহে বাঞ্ছনীয়। আৰু এটা কথাত আমাৰ অলপ আপত্তি আছে। লিখকে শঙ্কৰদেৱতকৈ মাধৱদেৱক অধিক উদাৰ মতাবলম্বী বুলিছে, কিন্তু আমি শঙ্কৰদেৱৰ মততহে অধিক উদাৰতা আছিল যেন পাওঁ।

কিতাপখন পঢ়ি সন্তোষ পাইছোঁ।

—শ্ৰীমধুসূদন দাস, বি-এ

৫২৫০/অ:

প্ৰাচীন বৰনগৰ লিখক শ্ৰীযুত চিন্তাহৰণ পাট গিৰি, বেচ পাঁচ অনা। পুৰণি অসমৰ নানা গৌৰৱ কাহিনী বুকত লৈ, তাহানিৰ কত চহৰ বন্দৰ আজি অৰণ্যত পৰিণত হৈছে, আৰু কালক্ৰমে সেইবোৰৰ সকলো স্মৃতিচিন লোপ পোৱাৰ লগে লগে, মানুহৰ মনৰপৰা তাৰ নাম পৰ্য্যন্ত মুছা গৈছে, তাক যিসকলে ইতিহাস লৈ অলপ লাৰা-চাৰা কৰিছে, তেওঁলোকে ভালকৈ জানে। একালৰ কামৰূপৰ ৰাজধানী বৰনগৰৰ পূৰ্ব্বৰ গুণ-গৰিমাৰ কথা কেইজনে জানে? কেৱল বৰনগৰেই নহয়, কোচ-আহোম প্ৰভৃতি অসমৰ স্বাধীন ৰজা সকলৰ কীৰ্ত্তি-কাহিনীৰ প্ৰভাৱত অসমৰ নানা ঠায়ে এদিন অতুল সমৃদ্ধি লাভ কৰিছিল, আৰু এই ঠাইবোৰৰ প্ৰত্যেকখনিৰে বিশদ আলোচনা অসমৰ ইতিহাস প্ৰণয়নত অপৰিহাৰ্য্য। সুখৰ কথা, 'প্ৰাচীন বৰনগৰ' লিখকে এই কথা বেছকৈ উপলব্ধি কৰিছে। তেওঁৰপৰা আমি প্ৰাচীন বজালী সম্পৰ্কেও কিতাপ এখনি আশা কৰিছোঁ।

অসমৰ ইতিহাসত এই সৰু পুথিখনিৰ আৱশ্যকতা বৰ বেছি আৰু যিদিনা বিজ্ঞানসম্মত প্ৰণালীত ঐতিহাসিকে, অসমৰ ইতিহাস লিখিবলৈ হাতত লব, সিদিনা তেওঁ ইয়াক উপেক্ষা কৰিব নোৱাৰে। লিখকে, বৰনগৰ সম্পৰ্কে সাধাৰণৰ মাজত যি বিশ্বাস প্ৰচলিত, তাক নানা যুক্তি-সমালোচনাৰে চালি-জাৰি, সাৰ সংগ্ৰহ কৰিবলৈ চেষ্টা কৰিছে, আৰু আমাৰ বিশ্বাস বৰনগৰ সম্পৰ্কে প্ৰকৃত সত্য নিৰ্ণয় কৰাত কৃতকাৰ্য্য হৈছে। যিকি নহক, এই বিষয়টো ৰাইজৰ আগত সমালোচনাৰ অৰ্থে উলিয়াই দিয়া বাবে লিখক আমাৰ প্ৰশংসাৰ্হ। অসমৰ আন আন উৎসাহী লিখকেও এনে আৱশ্যকীয় বিষয়বোৰ আলোচনা কৰিবলৈ লোৱা উচিত।

পুথিখনিত প্ৰচলিত ভাষা আৰু বানান সম্পৰ্কে যথেষ্ট তাৰতম্য আছে। অৱশ্যে সেইটো আমাৰ বৰ্ত্তমান আলোচ্য বিষয় নহয়, কিন্তু প্ৰচলিত ৰীতি এৰি লিখক সকলে নিজৰ নিজৰ ৰুচি অনুসৰি ভাষা ব্যৱহাৰ কৰিলে, ভাষাৰ ওপৰত স্বেচ্ছাচাৰিতা কৰা যেনহে লাগে।

৭নং বিদ্যাসাগৰ ষ্ট্ৰীট, কামৰূপ প্ৰেছত শ্ৰীঅপূৰ্ব্বকুমাৰ ভূঞাৰ দ্বাৰা মুদ্ৰিত, আৰু ডাক্তৰ দীননাথ শৰ্ম্মাৰ দ্বাৰা প্ৰকাশিত।

৫২৫১/আ:
১০.৬.৯৯



ASAM SAHITYA SABHA

আৱাহন

বিশ্ব কবি ৰবিন্দ্ৰ নাথ

লক্ষ্মীবিলাস প্ৰেস

৫২৫৭/অ:



৩য় বছৰ
৩য় সংখ্যা

আৱাহন

পুহ
১৮৫৩ শাঁক

আহোমৰ অভিধান-শাস্ত্ৰ

ৰব-অম্ৰ আৰু লতী-অম্ৰ

—অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা, এম-এ, বি-এল

খৃষ্টীয় ১৩ শতিকাৰ আগছোৱাতে চুকাফা ৰজাদেৱে দেউতা কামৰূপৰ সৌমাৰখণ্ড অধিকাৰ কৰে তেওঁৰ লগত অতিকম আহোম মানুহ আছিল। জয়ধ্বজ সিংহৰ দিনৰ পৰা চুলিকফা লৰাৰজা বস্তুধ্বজ সিংহ স্বৰ্গদেৱৰ দিনলৈকে বুৰাগোহাঁই আৰু ৰাজমন্ত্ৰীৰ বাৰ খোৱা বিচক্ষণ ৰাজনৈতিক পুৰুষ বাঁহগৰীয়া আতন বুৰাগোহাঁই ডাঙ্গৰীয়াই লিখা বুৰঞ্জীমতে চুকাফা ৰজাই ককায়েক চুধাংফা ৰজাৰ ৰাজ্য এৰি আহোতে ককায়েকে তেওঁৰ লগত মাত্ৰ ৩৬০ জন সংচৰ দিছিল। তাৰ উপৰি ১২০ জন মানুহ মনে মনে লগ লয়। ৰাটত আহোতে পাটকাই পৰ্ব্বতৰ দাতিকাঘৰীয়া অনেক মানুহে লগ লয়। চুকাফা ৰজাদেৱে অদমত পদাৰ্পণ কৰোঁতে তেওঁৰ লগত ১০৮০ জন মানুহহে আছিল বুলি আন বুৰঞ্জীত পোৱা যায়। এই আক্ৰমণকাৰীসকলে লগত কোনো তিৰোতা মানুহ

অনা নাহিল বুলি উক্ত বুবাগোহাঁই ডাঙৰীয়াই লিখি থৈ গৈছে। চুকাফা ৰজাদেৱে বৰাহী-মৰাণ আদিক উপসৃক্ত বাৰ দি সিবোৰৰ সৈতে মিত্ৰতা স্থাপন কৰিছিল, আৰু এইজনা ৰজাই আদেশ দিছিল, "যেতিয়া যি কথা হয়, যি মৰে যাক পাওঁ সকল কথা পণ্ডিতে লেখি ৰাখিব।" ইংলণ্ডৰ নৰ্ম্মানবিজেতা প্ৰথম উইলিয়মৰ লগত অহা বুলি থেনো ইংৰাজ পৰিয়ালে যেনেকৈ গৌৰব কৰে সেইদৰে চুকাফা ৰজাৰ লগত অহা আহোমসকলৰ মাজতো এটি আভিজাত্য সৃষ্টি হৈছিল। কালক্ৰমে তেওঁলোকে অসমৰ আদিমবাসীসকলৰ লগত বিয়াবাক কৰিবলৈ বাধ্য হৈছিল। বৈবাহিক বা ৰক্তাঘবীয়া লেনদেনৰ ফলস্বৰূপে ওচৰচুবুৰীয়া জাতিৰ মানুহো আহোমৰ খেলত ভুক্ত হৈ আহোম বুলি পৰিগণিত হবলৈ ধৰিলে। কিন্তু তেওঁলোকৰ পৰিয়ালৰ নামত মাজে মাজে পূৰ্ব্বজাতিৰ চাব বৈ গল,—যথা নগা পাতৰ চেতিয়া-পাতৰ, মৰাণ-পাতৰ, মিৰি-সন্দিকৈ ইত্যাদি।

পোনতে মূল আহোমৰ পাঁচ ঘৰ আছিল, তেওঁ-লোকৰ ঠাল-ঠেঙুলি বঢ়াত সাত ঘৰ কৰা হল; সাত ঘৰক বহলাই বাৰে ঘৰ, বাৰেঘৰক বহলাই চল্লিশ, চল্লিশ ঘৰক বহলাই চল্লিশ্ ঘৰ আহোমৰ খৈদ বা বংশ হল। যিসকল আহোমৰ আতিগুৰি লৈ কোনো সন্দেহ নাই তেওঁলোকক সাধাৰণতঃ 'নিয়মৰ আহোম' বোলা হয়; বাকীবোৰক "অনিয়মৰ আহোম" বোলা হয়। কোন ঘৰ নিয়মৰ আহোম কোন ঘৰ অনিয়মৰ আহোম সেই বিষয়ে আহোমসকলৰ মাজতো আগৰে পৰা মতবিবোধ চলি আছিছে। কোনো অনিয়মৰ আহোমে নিয়মৰ আহোম বোলাবলৈ চেষ্টা কৰিলে পুৰণি আহোম ফৈদৰ বংশধৰ-সকলে আপত্তি কৰিছিল। তাহানি কৌৰ্ত্তিচন্দ্ৰ ৰবৰকৰাই চইজবি জলমতীৰ ঘৰৰ আছিল বুলি হুমলী ৰাজমন্ত্ৰী ডাঙৰীয়াই 'চকফিফো' বুৰঞ্জী লিখি ৰবৰকৰাৰ দাবিক খণ্ডন কৰিছিল। ৰবৰকৰাই নৰাদেশৰ পৰা নিজ জ্ঞাতি-কুটুম আনি আহোম বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছিল।

নানাজাতিৰ মানুহ সন্নিবিষ্ট হৈ আহোমৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰিলে। ১৮৮১ খৃষ্টাব্দৰ চেনচাচ মতে আহোমৰ সংখ্যা ১৭৯৩১৪; ১৮৯১ চনত ১৫৩৫২৮; ১৯০১ চনত ১৭৮০৪৯। আহোমৰজাৰ দিনত তেওঁ-লোকৰ সংখ্যা ইয়াতকৈও বেচি আছিল। ১৬৬৩ খৃষ্টাব্দত মিৰজুমলাৰ লগত ১২০০০ মানুহ ভাটীলৈ গৈছিল বুলি উল্লেখ আছে। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত মনকৰাজাৰ পৰা বহুত মানুহ চিংফৌৰে বন্দী কৰি ধৰি লৈ গৈছিল। মানে প্ৰায় ৩০০০০ অসমীয়া মানুহ ধৰি লৈ গৈছিল। ১৮২৫ চনত নিউভিল চাহাবে চিংফৌৰে ধৰি নিয়া ২৯০০ অসমীয়া বন্দী মোকোলাই আনিছিল। এইবোৰৰ মাজত নিশ্চয় অনেক আহোম প্ৰজা আছিল।

চুকাফা ৰজাদেৱৰ ৰাজত্বৰ দিনত নিয়মৰ আহোম-সকলৰ মাজত আহোম ভাষাই জন্মগত স্বাভাৱিক ভাষা আছিল। আৰু বোধ কৰো ১০০ কি ২০০ বছৰৰ পাচলৈকে নিয়মৰ আহোমসকলৰ অধিকাংশবে মাজত আহোম ভাষা স্বাভাৱিক মাতৃভাষাৰূপে পৰিগণিত হৈছিল। কিন্তু ৰাজ্য পৰিচালনাৰ সুবিধাৰ কাৰণে আৰু প্ৰকৃত আহোমসকলে অনমীয়া মানুহৰ মাজত বাস কৰিব লগা হোৱাত তেওঁলোকে আহোম ভাষাৰ উপৰিও অসমীয়া ভাষা শিকি লব লগাত পৰিছিল। লাহে লাহে আহোমৰ খৈদত বিবিধ অনাহোম সোমাই আহোম হোৱাত তেওঁলোকৰ লগত কথাবাৰ্ত্তা কৰৰ নিমিত্তে নিয়মৰ আহোমেও অসমীয়া ভাষা শিকিবলৈ বাধ্য হৈছিল। লাহে লাহে দেখা গল যে অসমীয়া ভাষাৰ প্ৰয়োজন বেচি, সেই অনুপাতে আহোম ভাষাৰ প্ৰয়োজন কম। গতিকে আহোম ভাষা জনাটো কিছুমান নিৰ্দ্দিষ্ট মানুহৰ মাজত সীমাবদ্ধ হবলৈ ধৰিলে,—যথা দেওধাই, বাইলুং আৰু মোহন এই তিনি পূজাৰী ফৈদ; ৰাজ-সভাত নানা দোৱানৰ চিঠি-পত্ৰ মাতিবলৈ নিযুক্ত হোৱা বিষয়া চিবিংফুকন; যিসকল ৰাজকৰ্ম্মচাৰীয়ে আগৰ দিনৰ পুথিপাঁজি, তামৰ ফলি আদি মাতিব লগাত পৰিছিল বা তাৰ বচনাকার্য্য আৰু ভাষাৰ তদাৰক কৰিছিল। আৰু বিশেষকৈ ওখ বাৰ পাবলৈ হলে আহোম ভাষা জনাটো কিছু পৰিমাণে দৰ্কাৰ আছিল। গতিকে আহোম

ৰাজত্বৰ শেষছোৱালৈকে আহোম ভাষা এক প্ৰকাৰ জীয়াই আছিল। কাৰণ শেষছোৱাতো আহোম ভাষাৰ তামৰ ফলি আৰু মোহৰ পোৱা যায়। আহোম ৰজা-সকলে হিন্দুধৰ্ম্ম গ্ৰহণ কৰাৰ পাচতো বামুনীয়া প্ৰথাৰ উপৰিও আহোম প্ৰথামতে সকলো কাৰ্য্য সম্পাদন কৰিছিল। দেওধাই পণ্ডিতে আহোমমতে আহোম মন্ত্ৰ মাতি পূজা দিছিল, ৰজাক শিঙৰী ঘৰত বহৰাইছিল, আৰু দিনবাৰ-খেন চাইছিল। আৰু অধিকাংশ আহোমৰ মাজত চকলমতে বিয়া দিয়াৰ নিয়ম আছিল। ৰজাৰ শ্ৰাদ্ধাদিও হিন্দু আৰু আহোম দুইমতে হৈছিল। তাৰ ফলে ধৰ্ম্মসম্পৰ্কে ৰজাঘৰত 'ধ্বাহাকী'ৰ সৃষ্টি হল।

ৰাজ-পৰিয়ালৰ মানুহে যা ৰাজকৰ্ম্মচাৰীয়ে যে আহোম ভাষা শিকিছিল বা চৰ্চ্চা কৰিছিল তাৰ প্ৰমাণ বুৰঞ্জীত পোৱা যৈছে। চুক্লেনমুং গড়গঞা ৰজাৰ, (খৃঃ ১৫৩৯-১৫৫২) আই-কুৰ্ব্বাদেওঁ নৰাৰজাৰ জীয়েক আছিল, নাম চাউচিং গাভক। বুৰঞ্জীত কয়—"সেই সময়ত গড়গঞা ৰজাই নৰাৰজাৰ জী চাউচিং কুৰ্ব্বাক চংলং কৰি বাখিলে। আক কুৰ্ব্বাৰ মুওত চুৰি দেখি সাহ কৰি ঘৰ কৰিবাক নোৱাৰিছিল। স্নেহে ডাঙৰ অনেক ৰূপেহে মনক পালে। কুৰ্ব্বাওঁ ৰূপে-গুণে বৰ পণ্ডিতা ভবিয়েবেহে আহোম আখবকো লেখিছিল।" তাৰ পাচত চুহুং চামঙবীয়া ৰজাৰ (খৃঃ ১৬৭২) দিনত ডেবেবা ববৰকৰা ৰাজ্যৰ সংস্পৰ্শী হৈছিল। এই কথাতে ৰজাৰ ববকুৰ্ব্বী মোমাইতামুলী ববৰকৰাৰ জীয়েকে আক্ষেপ কৰি ৰজাক কলে,—"ডেবেবাৰে যদি এনেকৈ থাকিব লাগিল তুমি কিহৰ বজা?" কুৰ্ব্বাৰ কথা শুনি ৰজাদেৱে কেজনমান বিষয়াৰে সৈতে ডেবেবাক ধৰিবলৈ আলচ কৰিলে, কোনেৱা যেন ওকৰি নোৱাবে সেই দেখি আহোম ভাষাবেহে ৰজাদেৱে মন্ত্ৰণা কৰিছিল। কিন্তু ৰজাৰ চাঙৰ ঠাইসাৰী লিগিৰী এজনীয়ে ৰজাৰ মন্ত্ৰণাৰ কথা আহোম ভাষাত হৈছিল বুলিও তাক বুজি পাই ডেবেবাৰ আগত কলেগৈ। বুৰঞ্জীত কয়, "মমাই-তামুলীৰ জীয়েকে ৰজাত কল, ডেবেবায়ে যদি এনেকৈ থাকিব লাগিল তুমি কিহৰ বজা? পাচে বজা আহি

কুৰ্ব্বাৰ কথাকে লৈ বজা, শিমলুগুৰীয়ানাওবেচা ফুকনক, লাইটাই দেওধাই, এই দুইত আহোম কথাবে বজা ডেবেবাক ধৰিবলৈ আলচিলে। এই কথা ঠাইসাৰী বেটীয়ে বুজি ডেবেবা ৰকৰাত কলে, তোমাক আই কুৰ্ব্বী, নাওবেচা ফুকন, লাইটাই দেওধাই এইবোৰে আহোম কথাবে আলচিছে" আহোমৰ শেষৰজা কমলেশ্বৰ সিংহ আৰু চন্দ্ৰকান্ত সিংহবো আহোমমতে 'চুহেনফা' আৰু 'চুডেনফা' বুলি নামকৰণ হৈছিল। ১৭০৮ শকতো গৌৰীনাথ সিংহ স্বৰ্গদেৱে ভিনিহীয়েক সন্দিকৈ ৰববকৰাক আহোম ভাষাবে দান পত্ৰ লিখি তামৰ ফলি দিছিল।

ইয়াৰ পৰা বুজি পোৱা যায় যে আহোম ভাষাৰ জ্ঞান আহোম স্বৰ্গদেৱৰ ৰাজচবাত একেবাবে লুপ্ত হোৱা নাছিল। কিন্তু এই ভাষা জন্মগত স্বাভাৱিক ভাষাৰ স্থানৰ পৰা ক্ৰমাধয়ে শিকি লব লগীয়া ভাষাৰ শ্ৰেণীত পৰিছিলগৈ। আমাৰ যেনেকৈ অসমীয়া ভাষা, কেছুৱা কালতে আমি এই ভাষা কবলৈ আপোনা-আপুনি শিকো ডাঙৰ হলে নানা সুবিধাৰ কাৰণে ইংৰাজী, বঙ্গলা, বা হিন্দুস্থানী কবলৈ বা লিখিবলৈ শিকো। সেইদৰে আহোমসকলৰ মাজত অসমীয়া ভাষা মাতৃভাষা হল; আহোমভাষা গৈ কষ্টসাধ্য শিকিব লগীয়া ভাষা হলগৈ। কিন্তু কোন সময়ত আহোম ভাষা মাতৃভাষাৰ শ্ৰেণীৰ পৰা নামি আহিল তাক সঠিককৈ উলিওৱা টান। বহুতৰ বিশ্বাস যে বামুনী কৌৰৱ বা প্ৰতাপসিংহ ৰজাৰ দিনত এই পৰিবৰ্ত্তন ঘটিছিল। কিন্তু ইয়াৰ সমসাময়িক প্ৰমাণ আমাৰ হাতত পৰা নাই।

আগৰ দিনৰ আহোম পণ্ডিতসকলক আমি বিশেষকৈ ধন্যবাদ দিওঁ যে তেওঁলোকে তেতিয়াই আহোম নজনা মানুহে আহোম ভাষা শিকাৰ ভাল বন্দোবস্ত কৰি থৈ গৈছিল। আমি অসমীয়াই উনৈশ শতিকাত অভিধান সংকলন কৰিছোঁ। কিন্তু আহোমসকলে তাৰ বহুশতাব্দীৰ পূৰ্ব্বতে অভিধান শাস্ত্ৰৰ প্ৰয়োজনীয়তা বুজি তাক সংকলন কৰি থৈ গৈছে।

আহোমতে অভিধানক 'অম্ন' বুলি কয়। অম্নমান, এই শব্দটো বিখ্যাত সংস্কৃত অভিধান 'অমৰ-কোষ'

বা 'অমৰ' এই নামৰ পৰা আহিছে ;—যেনেকৈ পুৰণি ভৰপৰ মানুহে যেই সেই বাতৰি-কাকত বা মাহেকীয়া কাকত 'অকণোদয়' বা 'অকন্দহী' বুলি কয়। সেইদৰে যেই সেই অভিধানক 'হেমকোষ' বুলি কোৱাও শুনা গৈছে। 'অম্ৰ' শব্দৰ অন্য উৎপত্তিও হব পাৰে।

আহোম ভাষাত লিখা দুখন অম্ৰপুথি পোৱা গৈছে। প্ৰথমখন বৰ অম্ৰ, আৰু দ্বিতীয়খন ফুল অম্ৰ বা লতা-অম্ৰ।

গৰ দিনত আহোম শিকাকচকলে আহোম আখৰ আৰু আহোম বাৰেমতৰা আওবোৱাৰ পাচতে এই অম্ৰ দুখন মুখস্থ কৰিছিল। পণ্ডিতসকলে কিন্তু ভালকৈ জানিছিল যে এই পুথি দুখন ভালকৈ আয়ত্ত কৰি লব পাৰিলে আহোম ভাষাৰ ওপৰত সংজে অধিকাৰ জন্মিব, সেইদেখি তেওঁলোকে সহজে এই পুথি শিকাকসকলৰ হাতত সমৰ্পণ নকৰিছিল। ছাত্ৰসকলে নানাকণে ভক্তি-সন্মান আৰু আগ্ৰহ দেখুৱালেহে এই পুথি গুকৰে তেওঁলোকৰ হাতত দিছিল, নহলে দেৱতাৰ ভুতি থকা 'থামকৰা' পুথিলৈয়ে ছাত্ৰসকল সন্তুষ্ট থাকিবলৈ বাধ্য হৈছিল।

বৰ-অম্ৰ :—বৰ-অম্ৰ পুথিত আহোম বৰ্ণমালা অনুসাৰে সকলো শব্দ সজোৱা হৈছে,—কা, খা, ডা, না, টা, পা, ফা, বা, মা, জা, ছ্যা, ঠা, ৰা, লা, চা, ঞা, হা, আ। মাজে-মাজে ইয়াৰ অলপ-অচৰপ ব্যতিক্ৰমো ঘটিছে।

বৰ-অম্ৰ পুথিত পোনতে আহোম শব্দ লিখি তাৰ পাচত তাৰ অসমীয়া প্ৰতিশব্দ দিয়া হৈছে। একোটা আহোম শব্দৰ কেবাটাও অৰ্থ থাকিলে তাকো একেলগে দিয়া হৈছে। আহোম শব্দ আৰু তাৰ অসমীয়া প্ৰতিশব্দৰ মাজত প্ৰায় নিৰৰ্থক 'চাম্বা' শব্দটো আওবাৰলৈ সুবিধাৰ কাৰণে ব্যবহাৰ কৰা হৈছে। আহোম শব্দ, 'চাম্বা' আৰু তাৰ অসমীয়া প্ৰতিশব্দ, এই তিনিওটাকে আহোম আখৰেৰে লিখা হৈছে। অসমীয়া শব্দ গোটাচেৰেক আহোমৰ মুখত পৰি কিকণে বিকৃত হৈছিল তাৰ প্ৰমাণ আহোম আখৰত লিখা এই অসমীয়া প্ৰতিশব্দাবলীৰ পৰা বুজিব পাৰি।

বৰ-অম্ৰ পুথিৰ প্ৰথম পাতৰ প্ৰথম দুই শাৰীত আহোম বৰ্ণমালাৰ প্ৰথম আখৰ 'কা'ৰ অন্তৰ্গত শব্দাবলী আছে; যথা—

কা	চাম্বা	কাউৰিক।
কা	চাম্বা	ডাংৰ।
কা	চাম্বা	দেহাৰৰ।
কা	চাম্বা	জুখাক।
কা	চাম্বা	কপালিক।
কা	চাম্বা	কচ টক।
কা	চাম্বা	এৰাল-ডাকুৰক।
কা	চাম্বা	ভাৰ খুআক।
কা	চাম্বা	নাচিৰৰ।
কা	চাম্বা	কঠিআক।

বৰ-অম্ৰ পুথিৰ পৰা আমি আৰু গোটাচেৰেক শব্দৰ অৰ্থ পুথিত পোৱাৰ দৰে বানান বাখি তলত তুলি দিলোঁ।

খাও	চাম্বা	সুভেকক।
খাও	চাম্বা	হিবুলাকক।
না	চাম্বা	পঠাৰক।
না	চাম্বা	বিআধিক।
না	চাম্বা	সাতাক।
চি	চাম্বা	পুৰিৰৰ।
চি	চাম্বা	চিলিমক।
চু	চাম্বা	জুগক।
চু	চাম্বা	লগধৰিৰৰ।
চে	চাম্বা	নগৰক।
টি	চাম্বা	জুমিৰৰ।
টাঙ	চাম্বা	বগাৰৰ।
টাং	চাম্বা	মৰিৰৰ।
চু	চাম্বা	দেৱক।
টুক	চাম্বা	ঠিঙা বুআক।
প	চাম্বা	বাপেকক।
প	চাম্বা	বাজাক।
ম	চাম্বা	পৰিতক।

ফা	চাম্বা	কাপুৰক।
ফি	চাম্বা	দেৱতাক।
ফু	চাম্বা	মটা।
ঠ	চাম্বা	জুৰি গীতগাৱৰ।
ঠাঙ	চাম্বা	বুঢ়াক।
চাই	চাম্বা	সুজিৰৰ।
ৰ	চাম্বা	ধানৰ চিৰা।
ৰাও	চাম্বা	সুজিৰৰ।
ঞা	চাম্বা	দুৰপক।
লা	চাম্বা	ৰেলি ভটিআৰৰ।
মু	চাম্বা	জিয়ৰি আটাইতকে হকটিক।
ফক	চাম্বা	জুই গুজি দিৱৰ।
আক	চাম্বা	মনৰ।
চেউ	চাম্বা	বৈ থাকিৰৰ।
বাস	চাম্বা	উপচিৰৰ।
মান	চাম্বা	ডকা ডমকা
ৰাক	চাম্বা	বটিআৰৰ।
খাঙ	চাম্বা	ফৰ মুৰি মাৰিৰৰ।
টুঙ	চাম্বা	কুচ পাতি ধৰিৰৰ।
ফাঙ	চাম্বা	গৰিআক।
জিঙ	চাম্বা	পানি পাৰক।
মঙ	চাম্বা	আলুধুক।
খুন	চাম্বা	ৰঙাক
টুন	চাম্বা	বঙহক।
পিন	চাম্বা	পিজিৰৰ।
চন	চাম্বা	হিকাৰৰ।
কমখে	চাম্বা	গঙাজল।
ফাই	চাম্বা	ওটি ধাল
ইঙ	চাম্বা	জৰি গছৰ পাটক।
খম	চাম্বা	আগকৰা।
ৰিপ	চাম্বা	ৰৰহন দিৱৰ।
খুপ	চাম্বা	আঠু কাচিৰৰ।
ৰিপ	চাম্বা	হিলক।
চুঙ	চাম্বা	হাল বাৰৰ।
মুঙ	চাম্বা	ৰাজক।
ফিঙ	চাম্বা	পুৰৰ বিঅৰহাৰ।
টাঙ	চাম্বা	উৰ মিহ লগাৰৰ।
লাক	চাম্বা	চুচুৰাৰৰ।
লেক	চাম্বা	টেঙক।
কক	চাম্বা	কলহক।
ই	চাম্বা	হকটিক।
আও	চাম্বা	হন-কণ লগাৰৰ।
লাও	চাম্বা	হুকাৰৰ।
নি	চাম্বা	গুটি খাই আলচিৰৰ।
ঞে	চাম্বা	মুহনিক।
টাই	চাম্বা	জুৰ লগাই ফুৰিৰৰ।
ডাম	চাম্বা	ঘুমাৰৰ।
চু	চাম্বা	জুগল।
চু	চাম্বা	লগ ধৰি ৰ।
চু	চাম্বা	জুজনক।
খে	চাম্বা	খিআলি জালক।
খা	চাম্বা	খেৰক।
খাও	চাম্বা	লুভেহক।
ফিনিপ	চাম্বা	মাখিমুৰিআ গাৰক।
কানাঙ	চাম্বা	বাক খেলাৰৰ।
চঙমে	চাম্বা	অমুচিটক।
অমিট	চাম্বা	ঝগৰক।
জাট	চাম্বা	উজট খাৰৰ।
ঞেঙজা	চাম্বা	কাঙুৰিক।
ফুজা	চাম্বা	কঙৰাক।
পিনচাং	চাম্বা	ৰৰণাক।
ফাচাটকাৰক	চাম্বা	মানাটপুৰ।
লাই	চাম্বা	হ তুৰিৰৰ।

লতা-অম্ৰ বা ফুল-অম্ৰ

এইখন পুথি সুকীয়া। ইয়াত সংস্কৃত অমৰ-কোষৰ দৰে নানা বৰ্গত শব্দবোৰ সজোৱা হৈছে। প্ৰথমতে ঘৰ-সম্পৰ্কীয় সকলো অসমীয়া শব্দৰ আহোম প্ৰতিশব্দ দিয়া হৈছে। পোনতে অসমীয়া শব্দ, তাৰ পাচত 'চাম্বাৰ'

ধৰে সংযোগী 'বুলে' শব্দ, তাৰ পাচত আহোম প্ৰতিশব্দ। এই তিনিওটা শব্দ আহোম আখৰবে লিখা আছে। যথা,—

পিৰালিক	বুলে	ৰংৰিণ।
ভেটিক	বুলে	টিৰিণ।
গুটাক	বুলে	চাঙ।
চটক	বুলে	থু।
মাৰলিক	বুলে	গে।
ডাঙক	বুলে	ডাঙনই।
বগলি ডাঙক	বুলে	ডাঙনাই।
কৱাক	বুলে	কন।
কামিক	বুলে	কিপ।
বাঢ়িৰব	বুলে	ফান-থট।
মটাগাথিক	বুলে	ফু-থট।

ঘৰৰ পাচত মানুহৰ অঙ্গ-প্ৰত্যঙ্গ সম্পৰ্কীয় সকলো শব্দ সজোৱা হৈছে। যথা,—

মুৰক	বুলে	ক।
চুলিক	বুলে	পান্‌ক্।
কপালক	বুলে	না।
চকুক	বুলে	টা।
নাকক	বুলে	ডাঙ্।
(নাকৰ) বাটক	বুলে	ডাঙ্‌ৰঙ্।
মুখক	বুলে	চুপ।
দাটক	বুলে	লিঙ্।
জিৱাক	বুলে	লিঙ
লিঙকাইক	বুলে	কাইলিঙ।
কাণক	বুলে	পিক্।
হাটক	বুলে	কেথাই-কেচাই।
বুকুক	বুলে	লিঙ্।
ককালক	বুলে	আঙ্।
পেটক	বুলে	টঙ্।
দুকক	বুলে	পুম্।
পেটুক	বুলে	চাই।
আঙুলিক	বুলে	নিউ।
আগমঙৰক	বুলে	টাপ।
কলঙিলক	বুলে	পিক।
পিটক	বুলে	পিট।
ভৰিক	বুলে	টিঙ।
কৰঙনক	বুলে	থা।
ভৰিৰ আঙুলিক	বুলে	টিন নিউ।

মানুহ-সম্পৰ্কীয় শব্দৰ পাচত মাছ সম্পৰ্কীয় শব্দ-সমূহৰ আহোম প্ৰতিশব্দ আছে। যথা,—"মাছৰ লেখা চুনাই টামান লাক্‌ক্ৰপা চাঙ্‌কাইনাম্।"

মাগুৰ মাচক	বুলে	প্লাডুক্ নান্।
কাঠ মাচক	বুলে	প্লান্নক্‌বক্।
হিঙি মাচক	বুলে	প্লান্নুকৰি।
হিঙৰা মাচক	বুলে	প্লাৰঙকঙ্।
হক হিঙৰাক	বুলে	প্লাঙি।
পুঠি মাচক	বুলে	প্লাথেথাউ।
কাণি পুঠিক	বুলে	প্লাথাউমুন্।
দনিকণাক	বুলে	প্লালিউ।
হেচেই দনিকণাক	বুলে	প্লানিউনই।
খলিহনা মাচক	বুলে	প্লাচেৰিউলাই।
ভেচেলি মাচক	বুলে	প্লাচেনাই।
ৰাধনি মাচক	বুলে	প্লাকককাউ।
চেইলকণা মাচক	বুলে	প্লালুং।
মিঠা মাচক	বুলে	প্লাপিঙ

মাছ সম্পৰ্কীয় শব্দৰ পাছত গছ, ফুল, লতা আদিৰ বুজোৱা অসমীয়া শব্দৰ আহোম প্ৰতিশব্দ আছে। সেই দেখি এইখন অমক্ষ ফুল-অম্ৰ বা লতী-অম্ৰ বোলে। এই ছোৱাৰ শব্দ যথা,—

কচুক	বুলে	মুক্।
ৰৰকচুক	বুলে	মুকলুঙ্।
দতি কচুক	বুলে	কাই।
ৰৰ কচুক	বুলে	মুকৰিণ।
হনৰৰিআলক	বুলে	গ্রাখাট চাই।
ৰৰ হনৰৰিআলক	বুলে	গ্রাফাই।
ৰৰ গছক	বুলে	টুঙকঙলুঙ।

লাইজাৰিক	বুলে	গ্রাকিপ থাই।
দ্রুন বনক	বুলে	গ্রান।
এৰালি বনক	বুলে	গ্রাচাই।
আচুকলক	বুলে	গ্রাচেলুক।
আউলুৰামেটেকাক	বুলে	আইথাঙ।
ৰৰ মানিমুনিক	বুলে	ফাইম আইলুঙ।
হক মানিমুনিক	বুলে	ফাহুম আইহৈ।

ফুলৰ লেখা,—

তুলহিক ফুলক	বুলে	গ্রাহানকাম।
মৰাণ ফুলক	বুলে	ইউফ্রিউ।
টঙ লতিক	বুলে	ব্লকগ্রা নাঙ।
মকৰা ফুলক	বুলে	চিঙখ্রিঙ।
হেউতি ফুলক	বুলে	ব্লকউম্।
মালতিক	বুলে	ব্লাকঙ্গাম।
ডগৰক	বুলে	ব্লকংখ।
গুটমালিক	বুলে	ব্লকহম।
খৰিকাজাই ফুলক	বুলে	ব্লকহম।
গুটমালিক		ব্লকংমদি।

ইয়াৰ বাহিৰেও লতী-অম্ৰৰ শব্দাৱলীৰ পৰা আক গোটাচেৰেক প্ৰতিশব্দ তুলি দিয়া হ'ল। যথা,—

চুটালক	বুলে	প্লাডাৰিলুঙ।
ভেউমাচক	বুলে	প্লানালুঙ।
ৰবগলা মাচক	বুলে	প্লাৰিউপম।
আৰি মাচক	বুলে	প্লাগুম।
ঘৰিগা মাচক	বুলে	প্লাগুম।
হিংক	বুলে	পাৰা।
ঘৰিআলক	বুলে	পাগুম।
লাটকণক	বুলে	থাউখিউ।
হাৰ গুম্বচাক	বুলে	ঠাউকাপম্বক।
ভেদেলি লটাক	বুলে	ঠাউঠুটমা।
দলক	বুলে	ডাফাঙ।
মটা বিংলঙনিক	বুলে	ফাকফাইনিএ।
কাচন ফুলক	বুলে	ব্লকচিঙ।
চিঙকৰা ফুলক	বুলে	ব্লকচিঙফা।
কল গছক	বুলে	কুইটুঙ।
মালভোগ শাকক	বুলে	ফাকচাঙআ।
মিঠ মৰাশাকক	বুলে	ফাকচেঙৰান।
ৰৰ ঢেকিআক	বুলে	ফাকুট লুঙ।
ৰৰ বেঙেনাক	বুলে	মাকখু লুঙ।
লফা হাকক	বুলে	ফাকমুন।

উল্লেখ।—ৰায় চাহাৰ গোলাপ চন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ অশেষ পৰিশ্ৰমত আহোম ইংৰাজী অভিধান ১৯২০ চনত প্ৰকাশিত হৈছে। তাৰ ৰৰ-অম্ৰ আৰু লতী-অম্ৰৰ শব্দাৱলীৰ বাহিৰেও আহোম বুৰঞ্জী আৰু অন্য পুথিত পোৱা আহোম শব্দৰ অৰ্থ দিয়া হৈছে। ৰৰ-অম্ৰৰ সাঁচিপতীয়া পুথি এখন ৺ হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই কোচবিহাৰৰ বাবু কৈলাসচন্দ্ৰ সেনৰ পৰা অসম গৱৰ্ণমেণ্টৰ কাৰণে সংগ্ৰহ কৰিছিল। সেই পুথি এতিয়া কামৰূপ অনুসন্ধান সমিতিৰ পুথি ভঁৰালত আছে। আৰু লতী-অম্ৰ পুথি এখন শিব-সাগৰৰ আৰৈয়া-দেওধাইগাওঁনিবাসী শ্ৰীযুত নন্দলাল ফুকনৰ পৰা পোৱা গৈছে।

বিদ্ৰোহী ডেকা

স্থান—ফৰাছী দেশ

কাল—১৮৪০ খৃষ্টাব্দ

গল্প—

—শ্ৰীযুত বিৰিঞ্চিকুমাৰ বৰুৱা

"নোযোৱা তেনেহলে ?"

"ওহোঁ নেযাওঁ।"

"কিন্তু ইয়াৰ কাৰণে তুমি এদিন জগতৰ ওচৰত অপৰাধী বুলি পৰিচয় দিব লাগিব।"

"কিয় ?"

"এই ডেকা বয়সটোত এনে এটা সোণালী সুযোগ পায়ো দেশৰ নিমিত্তে উছৰ্গা নকৰিলে, পিছৰ যুগৰ সতি-সন্ততিৰ আগত কি কৈফিয়ৎ দিবা ?"

"ইয়াৰ বাহিৰেও দেশৰ সেৱা কৰিবলৈ অনেক বাট আছে।"

"স্বীকাৰ কৰিব লাগিব এইটোকেই শ্ৰেষ্ঠ বাট বুলি। বিশেষতঃ এই বাট এবাৰহে মুকলি কৰি দিয়া হয়। এই বাটেদি খোজ কাঢ়িব পাৰিলে জগতত চিৰস্মৰণীয় হৈ ৰবা। এই বাট যেতিয়া মুকলি হয়, অন্য বাট সেই সময়ত বন্ধ।"

"এই বাটত প্ৰবেশ কৰিবলৈ মোৰ সময় হোৱা নাই। মই এতিয়াও শিক্ষা সম্পূৰ্ণ কৰিব পৰা নাই।"

"আমাৰ উচ্চশিক্ষিতৰ প্ৰয়োজন নাই। কাৰ্য্যদক্ষ আৰু কৰ্ত্তব্যপৰায়ণ যুৱকৰহে আমাৰ প্ৰয়োজন।"

"মোৰ কিন্তু এই দুয়ো গুণৰে অভাৱ।"

"সেইটো বিচাৰৰ ভাৰ আমাৰ ওপৰত, তাৰ শিক্ষাৰ নিমিত্তে ব্যৱস্থা কৰা হব। এতিয়া কোৱা, তুমি যাবানে নোযোৱা ?"

"ওহোঁ, মই নোযোৱাকেই ঠিক কৰিছো।"

"বেছ কথা, পিছত কিন্তু অনুতাপ কৰিব লাগিব।"

"ভবিষ্যতৰ কথা ভবিষ্যতত ভাবিম। এতিয়া তাৰ নিমিত্তে মূৰ ঘুমুৱাৰ দৰকাৰ কি ?"

দেশত অশান্তি। গাৱেঁ-গাৱেঁ, ঘৰে ঘৰে অন্ন-বস্ত্ৰৰ হাহাকাৰ। অভাৱ-অনাটনৰ হুঙ্কাৰ ধ্বনিয়ে গাওঁ ছাটি পেলাইছে, চাৰিওপিনে শাসকসকলৰ উৎপীড়ন। দেশ কল কাৰখানাৰে ভৰি পৰিল, ধনী সকলে অজস্ৰ সম্পত্তি উপাৰ্জ্জন কৰি মদ মঙ্গহেৰে দিনে দিনে বৰভোজ পাতিব লাগিছে, বনুৱা আৰু খেতিয়ক সকলৰ দুখ কুলাই পাচিয়ে নধৰা হৈছে, মাটিৰ গিৰিহঁতে খেতিয়কসকলৰ পৰা উৎপন্ন বস্তুৰ মূল্যতকৈ সৰহ খাজনা আদায় কৰিছে, ওজৰ-আপত্তি কৰিবৰ সাধ্য নাই। ৰজা-ঘৰৰ মানুহ ধনীসকলৰ বশ। পথাৰৰ শস্য পথাৰৰ পৰাই মাটিৰ গিৰিহঁতে কাটি লৈ গৈছে, দুখীয়া খেতিয়কে এপাল লৰাছোৱালীৰে হা-ভাত হা-ভাত কৰি চিঞৰি মৰিছে, তালৈ ভ্ৰূক্ষেপ কাৰো নাই। তদুপৰি ৰাইজৰ ওপৰত সদায় নতুন কৰ-কাটল বহুৱায়। ৰজাঘৰেও ৰেপাকে ৰেপিছে, কোনেও বঢ়া-টুটা এষাৰ মাতিব নোৱাৰে, ৰজাঘৰৰ নিষেধাজ্ঞা। গাৱেঁ গাৱেঁ, চুবুৰীয়ে চুবুৰীয়ে ৰজাৰ কৰ্ম্মচাৰী গোপনে গোপনে ঘুৰি ফুৰিছে। বনুৱা ডেকাহঁতৰে বেছিকৈ ভয়, জানোচা তাহাঁতে ষড়যন্ত্ৰ কৰে। অলপ দোষতে তাহাঁতৰ গুৰুতৰ শাস্তি। ডেকাৰ ব্যায়ামাগাৰ, পুথিভঁড়াল, সঙ্গীতালয় সকলো বন্ধ। জুম পাতি ডেকাহঁত ফুৰিব নোৱাৰে। নিজ ইচ্ছামতে লৰ চৰ কৰিব নোৱাৰে। ফুট্-ফাট্!

বিশ্ববিদ্যালয়ৰ পৰা বন্ধত লৰাহঁত উভতি আহিছে। দেশ বিদেশৰ আকাঙ্খা আদৰ্শই তেওঁলোকৰ মন আগুৰি ধৰিছে। দেশৰ মুক্তিৰ নিমিত্তে কিছুমানে সাজি-পাৰি লাগিছে। সকলো অত্যাচাৰ, উৎপীড়ন সহ্য কৰিবলৈ তেওঁলোক সাজু। ডাঙৰ ডাঙৰ নেতাৰো

অভাৱ হোৱা নাই। বিদ্ৰোহীদলৰ এজন নেতাই বিশ্ব-বিদ্যালয়ৰ শিক্ষিত ডেকাৰ সহায় বিচাৰিছে, ওপৰৰ কথাখিনি তেওঁলোকৰে। বিদ্ৰোহীনেতা আঁতৰি গল।

বিশ্ববিদ্যালয়ৰ শিক্ষিত যুৱকক আমি "ডেকা" বুলিয়েই সম্বোধন কৰিম। তেওঁ আইনশিক্ষাৰ্থী বিদেশৰ বিদ্যালয়ত। খেতিয়কৰ লৰা, পিতাকৰ অৱস্থা সিমান শোচনীয় নহয়। অৱশ্যে পুৰণিকলীয়া ভালেমান তেওঁৰ মাটিবাৰী ধনীসকলে আৰু ৰজাঘৰে গ্ৰাস কৰিছে। পিতাকৰ ইচ্ছা, লৰাই আইনৰ সহায়ত হেৰোৱা সম্পত্তি উদ্ধাৰ কৰে। ডেকাৰ ইচ্ছা, আইনজ্ঞ হৈ নতুন চিন্তা আৰু আদৰ্শেৰে খেতিয়ক সঙ্ঘ গঢ়ি তুলিব। কিন্তু আইনজ্ঞ নোহোৱালৈকে নিজৰ মত প্ৰকাশ কৰিবলৈ ভয় কৰিছিল। বিদেশত থাকোতে তেওঁ "চাৰ্টিষ্ট-আন্দোলনৰ" খা খবৰ ৰাখিছিল। সাম্যবাদী লিখকসকলৰ কিতাপ তন্নতন্নকৈ পঢ়ি তাৰ কাষে কাষে নিজৰ মত লিখি গৈছিল। আইন বিদ্যাত পাৰ্গত নহলে বনুৱাবিলাকে তেওঁৰ কথা নুশুনিব ভাবি, আৰু নিজৰ বিদ্যাৰ গৌৰৱ কৰিবৰ স্থান নহব বুলিয়েই সময়লৈ অপেক্ষা কৰিছে।

বিদ্ৰোহে যুক্তিতৰ্কলৈ কাণ নকৰে, ধুমুহাৰ দৰে আহি ধোৱাৰ দৰে আঁতৰি যায়। কাৰো ক্ষন্তেক ভাবিবলৈ সময় নিদিয়ে। তাৰ অহা যোৱাৰ ধৰা-বন্ধা নিয়ম নাই। ইও সঁচা যে উচটনিত বিদ্ৰোহৰ জুই জ্বলি উঠে; সংঘৰ্ষণতহে ইয়াৰ জন্ম। সাম্যবাদী সকলৰ প্ৰচাৰ কাৰ্য্যই সহায় কৰিব পাৰে, কিন্তু শাসক সকলৰ অমানুষিক উৎপীড়নে ইয়াক সজাগ কৰে, পেটৰ পোৰণি বেছি হলে, ভাল বেয়া ভাবিবলৈ মানুহৰ জ্ঞান নেথাকে, মৃত্যু যেতিয়া নিশ্চিত—বিদ্ৰোহীৰ দৰে মৰিবলৈ কোনে ইচ্ছা নকৰিব ? বনুৱা আৰু খেতিয়ক সকল অত্যাচাৰৰ বিপক্ষে যেতিয়া থিয় হল তেতিয়া শাসন-কাৰক সকলে তেওঁলোকক শৃঙ্খলাবদ্ধ কৰি কাৰাগাৰত সুমুৱাই থলে। মানুহৰ শৰীৰটোক কাৰাৰুদ্ধ কৰিব পাৰি—মনটোক শিকলিৰে বান্ধিবৰ শক্তি কাৰ ? এজন দুজন মানুহৰ প্ৰাণ মাৰি এটা জাতিক শক্তিহীন কৰিবৰ ক্ষমতা আজিলৈকে জগতত কোনেও পোৱা নাই। বৰঞ্চ সেই অসহায় দুই এজন মানুহৰ মৃত্যুৱে সুপ্ত জাতিৰ চকুহে মুকলি কৰি দিয়ে।

আদৰ্শ লৈ ডেকা ব্যস্ত। উচ্চ-আকাঙ্খাৰ মোহ-স্বপ্নত তেওঁ মগ্ন। সময় আৰু নোৰোৱা হৈছে। আজিয়েই যদি তেওঁ আইনজ্ঞ হ'লহেঁতেন, গোটেই বিলাক প্ৰতিষ্ঠিত অনুষ্ঠান ওলট-পালট কৰিলেহেঁতেন! প্ৰধোঁৱে কৰিছে কি ? কাৰ্লমাৰ্ক্সৰ কথালৈ কোনে কাণ দিয়ে ? এই আন্দোলনত যোগ দিবলৈ তেওঁ যদি আজি উপযুক্ত হলহেঁতেন! চকুৰ আগতে নিজৰ ভাই ভনীৰ দুখ কিমান সহ্য কৰি চাই থাকিব ? সৰু ছোৱালীটীৰে সৈতে বিধবা মাহীয়েকৰ ঘৰখন! এবছৰৰ খাজানা দিব নোৱৰা বাবেই সকলো মাটিবাৰী নীলাম হৈ গৈছে। ধনীৰ মহৰী আহি মাক-জীয়েকক আজি বাটৰ ভিকহু কৰিছে। অকণমানী ছোৱালীজনীয়ে "আই! ঘৰলৈ যাওঁ বল" বুলি মাকক আঁজুৰিছেহি। সিদিনা দদায়েকৰ হালবোৱা বলধি হাল খাজানা দিব নোৱৰাত আধামূলীয়াকৈ বিক্ৰী কৰা হৈছে। এইবাৰ বেচেৰাই খেতি-বাতি কৰে কেনেকৈ ? বিদ্ৰোহী ষড়যন্ত্ৰত যোগ আছে বুলি মোমায়েকৰ একেটি লৰাক ফাটকত সুমুৱাই থোৱা হৈছে। অন্ধ বুঢ়া মোমায়েকে পথাৰৰ শস্য এতিয়া কেনেকৈ চপাই আনে ? মানুহ তো শাসনৰ তল নহয়, শাসনহে মানুহৰ উন্নতিৰ নিমিত্তে। দয়ামায়াহীন বিচাৰ, নায্য বিচাৰ নহয়েই, ডেকাৰ মনে বুজনি নমনা হল। এফালে পিতাকৰ আদেশ—অন্যফালে নিজৰ আদৰ্শ। আদেশৰ ভয় প্ৰদৰ্শনত আৰু আদৰ্শৰ মুখ বিকটনিত ডেকাৰ মন জলাকলা হৈছে। ৰজাঘৰীয়া আদেশ—ৰাজ্যত সভাসমিতি, শোভাযাত্ৰা নাইবা বিষাদৰ গীতবাদ্য হব নোৱাৰিব। আদেশ অমান্য কৰিলে কঠোৰ শাস্তি—মৃত্যুদণ্ড। ষড়যন্ত্ৰকাৰী সকলে ভাবিলে, অবলা নাৰী জাতি—তেওঁলোক ৰজা প্ৰজা দুয়ো ঘৰৰে সন্মানৰ পাত্ৰ। বেছ বুদ্ধি!

কলা নিছান লৈ বাটে-বাটে মহিলাৰ শোভাযাত্ৰা, মুখত তেওঁলোকৰ বিষাদৰ গান। মৃত্যুবীৰক শ্ৰদ্ধা

জনাবলৈ হাতত তেওঁলোকৰ পুষ্পমালা। বিদ্ৰোহীবীৰৰ জয়ধ্বনিয়ে আকাশ পাতাল প্ৰতিধ্বনিত কৰি তুলিছে। বাটৰ দুয়োকাষে থিয় হৈ পুৰুষসকলে নিৰ্ণিমেষে তেওঁলোকলৈ চাই আছে—আনন্দত চকুপানী বাগৰি পৰিছে। কেনে কাপুৰুষ! কেনে বলহীন! নিজৰ অসমৰ্থতাৰ কথা ভাবি লাজ পাইছে। তিৰোতাৰ আত্মদান! ৰণসাজেৰে সজ্জিত যুজাৰুৰ ফৌজ। অসহায় অবলাৰ ওপৰত অত্যাচাৰ! তিৰোতাৰ হাতৰ নিছান আৰু মালা আঁজুৰি দলিয়াই পেলাইছে। যুজাৰুৰে সৈতে তেওঁলোকৰ জোটাপুটি লাগিছে। ভালেমান তিৰোতা তেজেৰে ৰাঙলী হৈ মাটিত বাগৰি পৰিছে। গাৰ কাপোৰ ছিৰাছিৰ হৈ ভালেমান অৰ্দ্ধ-উলঙ্গ হৈছে। তথাপি সৈনিকৰ বিৰাম নাই। ডেকাই আৰু দূৰৈৰ পৰা চাই থাকিব নোৱাৰিলে। বলিয়াৰ দৰে ৰণস্থললৈ লৰি আহিল। অকথ্য ভাষাৰে সৈনিক-বিলাকক গালি পাৰিবলৈ ধৰিলে—সিহঁতক বুজালে যে সেইবিলাকেই সিহঁতৰ মাক আৰু ভনীয়েক। ক্ষন্তেকৰ নিমিত্তে সৈনিকবিলাকৰ হিয়াত কিবা এটাই খুন্দিয়ালে। অলপ সময়ৰ কাৰণে সৈন্যবোৰ ক্ষান্ত হল। ৰাঙ্গলী তিৰোতা বিলাকে আকৌ জয়ধ্বনি দিবলৈ ধৰিলে। ধূলি লগা মালা বুটলি লৈ ডেকাৰ ডিঙিত পিন্ধাই দিলে। জয়ধ্বনি শুনি আঁতৰত থকা সেনাধ্যক্ষ লৰি আহিল। পুনৰ ৰণৰ তাণ্ডৱ নৃত্য আৰম্ভ হল। ডেকাৰে সৈতে মহিলাসকলক কাৰাগাৰলৈ নিয়া হল।

অন্ধকাৰ খুপৰি। অসভ্য ব্যৱহাৰ। অখাদ্য ভোজন। ডেকাৰ মন বিদ্ৰোহী হৈ উঠিল। সৰুৰেপৰা বৰলৈকে—সকলো কৰ্ম্মচাৰীৰ যেন তেওঁৰ ওপৰতেই চকু। কাৰাগাৰৰ কঠোৰ নিয়ম ৰক্ষা কৰা অসম্ভৱ হৈ পৰিল। মানুহে বন্দী হলেহে মুক্তিসুখৰ কথা কল্পনা কৰিব পাৰে; আন্ধাৰত থাকিলেহে পোহৰ উপলব্ধি কৰা সম্ভৱপৰ হয়। বাহিৰত থাকোঁতে ভিতৰত সোমাবলৈ ডেকাই চেষ্টা কৰিছিল; কিন্তু এতিয়া ভিতৰ সোমাই বাহিৰ ওলাবলৈ ধৰ-ফৰ্ ধাৰ্-ফাৰ্ কৰিবলৈ ধৰিলে। ডেকাৰ নাম চাৰিওফালে বিয়পি পৰিল। ডেকাক চাবৰ নিমিত্তে কাৰাগাৰৰ বাহিৰত সদায় মানুহে জুম পাতি থাকে। বন্দীসকলক গা ধুৱাবৰ নিমিত্তে সপ্তাহত দুদিন দুৰ্গৰ বাহিৰলৈ উলিওৱা হয়—সেই কেইদিন যে মানুহৰ আনন্দ! বাহিৰৰ জগতৰ লগত ডেকাৰ সম্বন্ধ নোহোৱা হল: কৰ্ত্তৃপক্ষই ইচ্ছা কৰিয়েই তেওঁক এইবোৰৰ পৰা আঁতৰাই থৈছিল।

দেখা কৰিবলৈ কোনোবা এগৰাকী আহিছে। কোন? ডেকাই সৰুৰে পৰা যাক মন-প্ৰাণ দি ভাল পাইছিল—তেৱেঁই। ইমানদিনে তেওঁলোকৰ বিয়া হৈ গলহেঁতেন। কিন্তু ছোৱালীৰ বাপেকৰ এই বিয়াত মত নাছিল। এতিয়া ছোৱালীৰ বাপেকে আনন্দমনেৰে এই বিয়া সমৰ্থন কৰিছে। তেওঁৰ মুক্তিৰ পিছতেই বিয়াৰ যোগাৰ। তাকে জনাবলৈ ছোৱালীগৰাকী কাৰাগাৰলৈ আহিছে। ডেকাৰ মনত সেইদিনা যে কি স্ফূৰ্ত্তি! নিজৰ কৰিবলগীয়া কাম মুহূৰ্ত্ততে শেষ কৰিছে। কৰ্ম্মচাৰীসকলৰ লগত অন্য দিনৰ দৰে বেয়া ব্যৱহাৰ কৰা নাই। অন্য দিনৰ দৰে কাৰো লগত কথা-বতৰা নপতাকৈ গম্ভীৰভাৱে বহি থকাও নাই। প্ৰত্যেক কথাষাৰিৰ লগতে হাঁহি বিৰিঙি পৰিছে।

ৰজাঘৰে পিতাকক ভয় দেখুৱাইছে। প্ৰতিশ্ৰুতি লিখুৱাই যদি পুতেকক মুকলি কৰি নানে তেন্তে তেওঁৰ মাটি-বাৰী বাজেয়াপ্ত কৰা হব। কিয়নো তেওঁ বিদ্ৰোহীৰ লগত ষড়যন্ত্ৰ কৰিছে। ডেকাক মুক্তি দিবলৈ কৰ্ত্তৃপক্ষও উৎকণ্ঠিত হৈ পৰিছিল। জানোচা, বিদ্ৰোহৰ অগনি বৰকৈ জ্বলে! ৰজাঘৰৰ নেৰানেপেৰা বুজনিত পিতাকে ডেকাক অনুৰোধ কৰিবলৈ ওলাল। বাপেকৰ কথা শুনি ডেকাই চকুলো টুকি অমান্তি হল।

"মই মাতিছোঁ, মোক আৰু নকবি।"

"নহয় বাছা! তই এবাৰ ভালকৈ ভাবি চা। মিছাতে ইয়াত সোমাই থাকিলে জ্ঞান আৰ্জ্জনৰ দিন কেইটাও যাব।"

"দেশৰ যেতিয়া ইমান দুৰ্দ্দিন—মইনো অকলে জ্ঞান আৰ্জ্জি কি কৰিম?"

"জেলৰ মাজত সোমাই থাকিলে জানো দেশৰ দুৰ্দ্দিন যাব?"

"মোক অনুকৰণ কৰি অন্যে দেশৰ এই দুখ গুচাবলৈ যত্নপৰ হব।"

"বাছা! অন্ধই অনুকৰণ কৰিব কেনেকৈ? আগেয়ে জ্ঞান চকুৰে অন্ধতা ৰ কৰি তাৰ পিছত অনুকৰণ কৰিবলৈ শিকাবা। সময় এতিয়াও উত্তীৰ্ণ হৈ যোৱা নাই।"

ডেকা অলপ সময় নীৰৱ হৈ ৰল। নানা কথাই তেওঁৰ মন আগুৰিবলৈ ধৰিলে। এটি হুমুনিয়াৰে আকৌ কবলৈ লাগিল—

"প্ৰতিশ্ৰুতি দি ওলাই গলে মানুহে মোক কি বুলিব? সকলোৰে গৰিহণাহে খাম?"

"মানুহৰ যশস্যাৰ কাৰণে তো তুমি এই কাৰ্য্যত ব্ৰতী হোৱা নাই। মানুহৰ যশস্যা কিনিবলৈ কিমান পৰ লাগিছে? আজি মানুহে যিহৰ নিমিত্তে প্ৰশংসা কৰিছে, কালিলৈ তাকে গৰিহণা দিব।"

"তথাপি এবাৰ যদি মই এনেকৈ ওলাই যাওঁ, দুনাই মানুহে মোৰ কথাত বিশ্বাস কৰিব কিয়?"

"তোমাৰ আখ্যানটোকে লৈ আলোচনা কৰিবলৈ মানুহৰ সময় ক'ত? সকলো নিজৰ কাৰ্য্যত ব্যস্ত। যেতিয়া তুমি তোমাৰ মতেৰে নতুন দল গঠন কৰি আকৌ দেশৰ কাৰ্য্যত লাগিবা—তেওঁলোকে পুনৰ তোমাক আদৰি লব। এতিয়া মিছাতে তুমি ইমান কষ্ট খোৱাৰ কি প্ৰয়োজন? ইয়াৰ পৰা ওলাই যোৱাৰ পিছতে মই তোমাৰ বিয়াৰ···।" টিং-টিং-টিং—ঘণ্টা পৰিল। সময় হল। বাপেক ওলাই আহিল। ডেকাই আকাশ পাতাল ভাবিবলৈ ধৰিলে। বৰ্ত্তমানক নে ভবিষ্যতক বিশ্বাস কৰিব?

···ছিঃ! ছিঃ! ছিঃ! ডেকাই এনেটো কাম নকৰে বুলিহে আছিলোঁ। কোনো মানুহতে বিশ্বাস নাই। যদি ইমানেই অপাৰগ—তেনেহলে আগবাঢ়িছিল কিয়?

"নহয়, এইবাৰ তেওঁ এটি বিদ্ৰোহী দল গঠন কৰিব।"

"থৈ দিয়া সেই কথা। যাৰ পেটত ভয়—যি অত্যাচাৰ আৱমাননাক শিৰ পাতি লব নোৱাৰে—সি আকৌ কিহৰ বিদ্ৰোহ কৰিব? নিজৰ প্ৰাণলৈ মায়া হলে অন্যৰ প্ৰাণত কোনেও হাত দিব নোৱাৰে।"

"এতিয়াও বোলে সময় হোৱা নাই। দেশৰ মানুহক শিক্ষিত নকৰাকৈ জেললৈ গলে কি হব?"

"সময় কেতিয়া হব? ঘৰে-ঘৰে হাহাকাৰ, ঘৰে-ঘৰে কান্দোনৰ ৰোল! তিৰোতাৰ ওপৰত পাশৱিক অত্যাচাৰ। ভাই-ভনীৰ ওপৰত বীভৎস কাণ্ড। ফাঁচী-কাঠত যুৱক। তেও কোৱা, সময় হোৱা নাই? যেতিয়া দেশ ছাৰখাৰ হব—মানুহৰ ঠাইত পশুৰ জন্ম হব—তেতিয়া সময় হব নহয়নে? হাঃ! হাঃ! কি মজাৰ যুক্তি!"

সকলো নিস্তব্ধ। লাজত ডেকাই তলমুৰ কৰি বাট বুলিছে। কি ভুলেই যে তেওঁ নকৰিলে! এনে পিতৃ হোৱাতকৈ জহৰা হৈ জন্ম লোৱাই শ্ৰেয়ঃ। বাপেকক দূষিলে কি হব? নিজৰ তো ভাবিবৰ শক্তি আছিল? লাহে লাহে ডেকাই আকাঙ্খিত প্ৰণয়িনীৰ ঘৰৰ ফালে আগবাঢ়িছে, লাজ অপমানৰ গধুৰ বোজাটি জানোচা পাতল কৰিব পাৰে।

"মোৰ কথাখিনি ভাবি চোৱা।"

"ভাবি চাবলৈ কি আছে? আপুনি বিশ্বাস-ঘাতকতা কৰিছে। দেশৰ ইমান মান-সন্মানক আপুনি নেওচা দিছে। তাতোকৈ কিবা লাজৰ কথা হব পাৰে নে?"

"দেশৰ মহৎ উপকাৰ কৰিম বুলিহে মই ওলাই আহিছো। তুমি মোৰ সঙ্গী হোৱা। আমি দুয়ো এইবাৰ সকলোবিলাক ওলট-পালট কৰি দিম। চাম আমাৰ শক্তি ৰোধে কোনে?"

"যি নিজৰ ভবিষ্যত গৌৰৱৰ কাৰণে স্বমাতৃ আৰু স্বজাতিৰ প্ৰতি বিশ্বাসঘাতকতা কৰিছে—তেওঁৰ জীৱন-

সঙ্গিনী হম কেনেকৈ? আপোনাব নিমিত্তে এজনী নাবীব ভালপোবা উপেক্ষা কবা কিমান টান কথা?"

"তেনেহলে মই আকৌ কাবাগাবলৈ উভতি যাম."

"আপোনাব নিমিত্তে কাবাগাবব দুবাব বন্ধ। দেশ-ভক্তক হে তাত ঠাই দিয়া হয়—দেশদ্রোহীব স্থান তাত নাই।"

"ষড়যন্ত্র কবিম।"

"দেশব বিপক্ষে? সেয়ে আপোনাব উপযুক্ত কর্ত্তব্য।"

"মনত বাখিবা, এদিন পুনব শ্রদ্ধা-অঞ্জলিবে দেশ-বাসীয়ে মোক পূজা কবিব। মোব দর্শনত তেওঁলোকে তীর্থ-স্থানব সুখ পাব।"

"সেইদিনা আপোনাক জীয়নব লগবী কবি মই গৌবান্বিত হম। মোব অন্তবব ভক্তি-উপচাবেবে আপোনাব চবণ ধুবাই দিম। কি কয়?"

"ঠিক কথা।"

"সুকৌয়া বাট এটি। চাবিওপিনে গেলাপচাব গোন্ধ। নিচেই বস্তুবাবিলাকব বসতি। সক-সক জুপুবি ঘববিলাক। কেনিও বতাহ সোমাবব সুকন্দা নাই। কাষে-কাষে খাল-ডোং আক গোবব আববব দ'ম। পৃথিবীব আবর্জ্জনাবিলাকে যেন তাতেহে ঠাই পাইছে। সক-সক বাটবিলাকত সক-সক লবাছোবালী ইঁতে খেমালি কবিছে। ডেকাক দেখা পাই কেইটামান অলপ বয়সিয়াল লবা আঁতবি গল, কোনোবা পজাত বিপদব সঙ্কেত জনাবলৈ হবলা। এটি ঘবত ডেকা উপস্থিত। ভিতবব পবা জীর্ণ-শীর্ণ কাপোব পিন্ধা কেইটামান যুবক ওলাই আহি ডেকাক নমস্কাব কবিলে।

"আহা, কেনে দয়ালু বজা!"

"মই নিজেহে প্রতিশ্রুতি লিখি দি ওলাই আহিছো, এতিয়া তোমালোকব লগত লগ লাগিম।"

"এঃ, আমাব লগত?" যুবকহঁতে হৈচাব মুখলৈ সিটোবে চাই ঠাবে-চিবাঁবে কিবা কোহাকৈ কবিলে:

"এবা, তোমালোকব লগতে। এইবাবেই এটা শেষ সিদ্ধান্ত কবিব লাগিব দেশব দুখ আক কিমান দিন চাই থাকিবা?"

"আমি দেশব কি কবিম? শাসক আক শাসনব এতিয়াও হেনো অন্ত হোবা নাই। ঐ হেন বজাব আমোলত প্রজাব কি সুখ হৈছে, আমি বুজিব পবা নাই। দেশত নানা-ভবংব কল-কাবখানা ভবি পবিছে, আগব এটাকৈ বস্তু আজিকালি এমহা হৈছে। যান-বাহনব ইমান সুচল হৈছে। কোন বজাই এনে কবিব পাবে?"

"এইবিলাক বজাব দান নহয়—সমস্ত দান। সমস্তে সৌতত দুব-দুবণিব পবা ভাল বেয়া বস্তু উটুবাই আনে। বজাব কাম ভালখিনি ধবি বাখি বেয়াখিনি আকৌ উটুবাই দিয়া।"

"আমি আজ সিমানবিলাক কি বুজো। বাইজো পিকিছো, বেচ আছো।"

"কিন্তু তোমালোকেই চোন এদিন মোক দেশব এই দুর্দ্দশাব কথা কৈছিলা?"

"আমি, আ—মি, এতিয়া আক নকওঁ। এতিয়া আমি বহুত সুখত আছো। বজাই আমাব মাটিব খাজনা কমাই দিছে, ঘোবা বস্তুব ওপবত অবশ্যে নকৈ বাজহ লগাইছে, কিন্তু সেই বাজহ আমাব পবা তো নলয়, সবাসব সকলেহে দিব। আজিকালি আমি খেতি পথাবত ব্যস্ত। আমাব সময় বব কম।"

"নিজব খেতি পথাবব কাবণে দেশব কথা পাহবি গলা? মই তেন্তে তোমালোকতকৈ অধম নহয়।"

উলটি যাওঁতে লবা ছোবালীহঁতে বাটত কোৱা-মেলা কবা শুনিছে—সেইটো বজাব গুপ্তচব। ডেকাই তাকৈ ভালকৈ মন কবা নাই। ডেকাই ভাবিছে যে সাসাবত তেওঁতকৈও অধম আছে। মুখত অলপ হাঁহি বিবিড়িছে। এনেতে শুনিলে আঁতবত যুবকহঁতব হাঁহিব ধ্বনি। বুজিবলৈ আক একো বাকী নেথাকিল, দেশব দুখাব হোতা হবলৈ তেওঁব সবীবঅণ্ডচি, পুণ্যক্ষেত্রত স্নান কবিবলৈ ডেকাই লব মাবিলে।

কাবাগাবব দুবাবমুখ, প্রধান বক্ষকব সৈতে ডেকাব সাক্ষাৎ হৈছে। ডেকাই প্রতিশ্রুতি-পত্র দুখাই খুজিছে আক তেওঁক কাবামুক্ত কবিবলৈ ভিক্ষা মাগিছে।

অনন্তব কথা! বজাঘবে তেওঁক সন্মানেবে মুক্তি দিছে—মাত্র অধ্যক্ষ কি সাধা ডেকাক বন্দী কবে। ডেকাব কাকুতি মিনতি, অনুনয় বিনয়লৈ ভ্রুক্ষেপ নকবি—অথাক ভিতব সোমাল, সঙ্কিয়াব বাঙনি বেলিব পোহবত ডেকাব গহীন মুখ কলা ডাববব দবে ওলমি পবিছে। সঙ্কিয়াব গাঢ় অন্ধকাবে ডেকাক আববি ধবিলেহি।

কিছুদিন পাব হৈছে। বন্দুকা আক খেতিয়কহঁতক দুখা। শাসক সকলে শান্তি স্থাপনব চেষ্টা কবিছে। শাসন প্রণালীব পদ্ধতি সলনি কবিব বুলি আশ্বাস দিয়া হৈছে। কিছুমান বন্দীক মুক্তি দিয়া হৈছে। কিন্তু আছল কর্ম্মীসকল তেতিয়াও জেলব গবালত, তেওঁলোকেও বিচাবত লঘু শাস্তি বিহা হব বুলি জনাইছে। চবকাবী বিষয়ষ্টি গাবেঁ গাবেঁ মানুহক বড়যন্ত্রব পথা আঁতবি থাকিবলৈ বকুতা দি ফুবিছে। বাজেয়াপ্ত কবা বস্তু বাহানি ঠাযে ঠাযে ওভোতাই দিয়া হৈছে। ইফালে এই শান্তিব সময়ত বজাঘবে বিদেশব পবা ধন দি সৈন্য আনিছে। বিদেশী জার্ম্মান সৈন্তই বাটে বাটে "বিকুল" বজাই "মার্চ্চ" কবি ফুবিছে। বেলেগ বেলেগ প্রদেশত দেখুবাই শাসক সকলে বন্দুকা আক খেতিয়ক সকলব মাজত মনোমালিন্যব সৃষ্টি কবিবলৈ চেষ্টা কবিছে। ভালমান বন্দুকাই মন আক ইচ্ছাপদব আশাত বজাঘবব আশ্রয় বিচাবিছে। কিন্তু অলা জুইক ঢাকি থবব কাব সাধ্য! কোৱা-চিনাব যুদ্ধেবে উবা বাতবি শুনা গল—ডেকা বাজবন্দী কেইবাজনকো বোলে ফাটকব ভিতবত ভণীয়াই মবা হৈছে। আকৌ হৈ-চৈ আবম্ভ হ'ল। বজাঘবে কথাটো মিছা বুলি প্রকাশ কবিলে, তথাপি মানুহব মনব সন্দেহ নাভাগিল।

সঁচা কথাক সাপা দি কিমান দিন লুকাই বাখিব। এই বঙ্গব কাৰ্য্যব প্রতিবাদ কবি বাকী বাজবন্দী বিলাকে অনশন ব্রত আবম্ভ কবিলে, বিচাব নোহোবালৈকে তেওঁলোকে পানী এটোপাকো মুখত নিদিব। ভাৰতবে বুজোত্তব নৈমান নোহোবাত কর্ম্মচাবী সকলে বন্দীহতক ভয় দেখুবালে। জীবন যি আহুতি দিব পাবিছে—শবীবব মহীবে সি কিহব ভয় কবে? সকলো দৃঢ়প্রতিজ্ঞ। একেলগে মবিব পাবিলেও আনন্দ আছে—আত্মাব সদ্গতি হব। বিষয়াসকলব বুধি হেবাল, কথাটো ৰাষ্ট্রিবত প্রকাশ পালে দেশব কি অবস্থা হব, তেওঁলোকে অনুমান কবিলে, এতিয়া কি কবা যায়?

জুই! জুই! জুই! এই মাজনিশা জুই লাগিল ক'ত? নগবব সীমাত থকা নতুন কাবাগাবত। তাত আছিল কোন? মুখিয়াল বাজবন্দী কেইজনমান! চাবিওফালে লো আক ইটাব দেৱাল। কোনে তাহঁতক বক্ষা কবিব? হাঁয়! হাঁয়! এনে কাম কোনে কবিলে? জীয়া মানুহ জুইত পবি মবিছে। পালি-পংবীয়া কলেগাঁল? কেইটামান পুবি মবিল—কেইটামান নাবিল। তাহঁতে কয় কি? কি কব—বন্দীবিলাকে খণ্ডত জুই লগাই নিজেই পুবি মবিছে। সকলোবোব জুযে পুবি ছাবখাব কবি পেলালে। চবকাবী বিষয়ষ্টি ৰাষ্ট্রিব ভিতবতে সেই সকলোবিলাক পবিষ্কাব পবিচ্ছন্ন কবিলে। পিছদিনা শাসক সকলে শোক প্রকাশ কবি আক সন্তপ্ত পবিষালৈ সমবেদনা জনাই বাতবি পঠিয়ালে। যদিও বিদ্রোহী সকলে নিজব মৃত্যু নিজেই মাতি আনিলে—তথাপি মবমিয়াল চবকাবে এই কার্য্যত শোক প্রকাশ নকবি থাকে কেনেকৈ? গোপনে গোপনে মানুহে কিন্তু এই কার্য্যত চবকাবব অভিসন্ধি আছে বুলিহে……। চুপ!

বিশ্বাস আক সহনশীলতাব সীমা আছে। জাতি এটাক সদায় ভুবা দি শাসন কবা টান কথা। অত্যাচাব আক উৎপীড়নব দ্বাবাই কোনো জাতিক শাসন কবা অসম্ভব। গবলব বিনিময়ত অমৃত আশা কবা ভুল। বাঙলী হাতে শুকুলা বোল নধবে। বিপ্লবব আকৌ ভেবি বাজি উঠিল। এইবাব তিবোতাহঁ ধবিলে বণচণ্ডীব বেশ। পুৰুষতকৈ তিবোতাব সংখ্যা সবহ হ'ল। জোবানডাকব বংশধব সকল গবজি উঠিল, প্রত্যেক ফবাছী ছোবালী জানিবা একোজনী একোজনী নতুন গড়ব "জোৱানৰে"। অবলাই যেতিয়া বলব সামগ্রী পায় তেওঁলোকব পথ বোধ কবিবলৈ কাব শকতি? কর্ত্তৃপক্ষব হাত আগতকৈ কঠোব হল। অবলা অনধায় বুলি বাছ-বিচাব কবিবলৈ তেওঁলোকব সময় নহল। সকলো বিপ্লবীবে শাস্তি

প্ৰাণত যেতিয়া ৰণ ভেৰি বাজিছে—মৃত্যু আৰু শাস্তিলৈ ভয় কৰে কোনে? মাতৃৰ আহ্বান মাতৃজাতিয়ে কি উপেক্ষা কৰিব? সন্তানক কোচৰ পৰা দলিয়াই দি, স্বামীৰ প্ৰেম-সম্ভাষণ আঁতৰাই থৈ ৰণৰঙ্গিনীবেশে সকলো আগবাঢ়ি গল। আচৰিত কথা!

.....বিদেশত আহন অধ্যয়নত ৰত আমাৰ ডেকা। পৰীক্ষা ওচৰ চাপিছে। দেশৰ কথা ভাবিবলৈ এতিয়াও তেওঁৰ সময় হোৱা নাই—অৱকাশ পোৱা নাই। এনেতে শুনিলে বিপ্লবীদলৰ কথা। পাহৰা কথা মনত পৰিল। তাৰ পিছত শুনিলে কাৰাগাৰৰ অগ্নিকাণ্ডৰ বৃত্তান্ত। ই কি! ইও কি সম্ভৱ? বিপ্লবীদলে আত্মহত্যা কৰিব কিয়? বেচেৰাৰ মূৰ ঘূৰি গল। বিছনাত ঢলি পৰিল। আকৌ খবৰ পালে যে দেশসেৱিকা সকলক ৰজাঘৰে কঠোৰ শাস্তি দিছে। উলঙ্গ কৰি তেওঁলোকক চাবুকেৰে কোবোৱা হৈছে। কাৰাগাৰত বন্দী কৰি তেওঁলোকৰ ওপৰত পাশৱিক অত্যাচাৰ কৰিবৰ নিমিত্তে বিদেশী সৈন্য মেলি দিছে। অসহ্য! অসহ্য! আৰু অপেক্ষা কৰিব নোৱাৰি, সময়ে মানুহ নগঢ়ে—মানুহেহে সময় গঢ়িব। বলিয়ায় দৰে পঢ়া ঘৰৰ পৰা ডেকা বাহিৰ ওলাল।

.....মাজ নিশা, এটি বিপ্লবীদলৰে সৈতে ডেকা, তেওঁলোকৰ মাজত নানা কথা-বতৰা চলিল। তাৰ পিছত ডেকাই মাত লগালে—"বন্ধুসকল! আমাৰ কাৰ্য্য আজি ৰাতিৰ পৰাই আৰম্ভ কৰিম, আমাৰ ভাই-ভনীৰ ওপৰত যিবোৰে পশুৱৎ অত্যাচাৰ কৰিছিল—তাহাতক আজি ৰাতিয়েই শিয়াল-কুকুৰৰ দৰে টুকুৰা-টুকুৰ কৰিম। কিন্তু প্ৰথম পূজাৰীৰ ভাৰ মোৰ গাত। মৃত্যুৰ প্ৰতিশোধ মৃত্যু। তোমালোকৰ মাজলৈ উভতি অহাৰ মোৰ আশা নাই। আমাৰ এয়ে শেষ বিদায়। নিজৰ কৰ্ত্তব্যৰ পৰা যেন পিছ নোহোঁহোকা—সেয়ে মোৰ অনুৰোধ।" সকলোবিলাক অদৃশ্য হল।

.....এদিন পুৱা কাৰাগাৰৰ কাষত ডাঙৰ জনতা। লানি নিছিগাকৈ মানুহবিলাক জনতাৰ ফালে আগবাঢ়ি গৈছে। একেলগে দুটা ৰাজবন্দীৰ ফাঁচী—এজনী ডেকেৰী আৰু এটা ডেকা। দোষ কি? ডেকেৰী গৰাকী তিৰোতা বিপ্লবীৰ নেতা। কাৰাগাৰত সৈনিকহঁতে তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰাৰ কাৰণে অধ্যক্ষজনক হত্যা কৰিছিল। ফৰাছী দেশসেৱিকাৰ দল গঠনকাৰিণী তেৱেঁই। ডেকাজন কোন বুলিলা? তেওঁৰ সঠিক পৰিচয় পোৱা নাই। কোনোৱে কয় বলিয়া, কোনোৱে কয় আদ্‌বলিয়া, কোনোৱে আকৌ কয় বিপ্লবী বুলি। তেওঁৰ দোষ? সিদিনা ৰাতি ৰাজবন্দীৰ কাৰাগাৰৰ অধ্যক্ষ আৰু ৰখীয়াহঁতক হত্যা কৰি, তাৰ দুৱাৰ মুকলি কৰি দিছিল। বৰ সাহ দেখোন! লগত অন্য কোনোবা আছিল নে কি? আছিল যদিও এতিয়ালৈকে ধৰা পৰা নাই। ভবিষ্যতে মানুহৰ শিক্ষা হবৰ নিমিত্তে দুয়োকে একে ঠাইতে একে সময়তে ফাঁচী দিবলৈ আজি দিহা কৰা হৈছে।

ৰাজবিষয়াই দুয়োৰে দোষৰ কথা জনতাক বুজাই কলে, ভবিষ্যততৈ যেন তওঁলোক সাৱধান হয়। তাৰ পিছত তেওঁলোকক বেৰৰ ভিতৰত থকা ফাঁচীকাঠৰ ওচৰলৈ অনা হল। চাৰিওপিনে সৈন্য-সামন্তই বেঢ়ি ললে। জনতাৰ ভিতৰৰ পৰা জয়ধ্বনি উঠিল। তেওঁলোকৰ গালৈ মালা দলিয়াবলৈ ধৰিলে। সৈনিকে দুয়োকে মালা পিন্ধাই দিলে। বিষয়াৰ আদেশত হাতৰ বান্ধ মুকলি কৰি দিয়া হল। দুয়োজন মুখামুখি হ'ল। দুয়োৰে চকু স্থিৰ। চকুৰেদি লোতক বাগৰিবলৈ ধৰিলে। ডেকাই লাহেকৈ মাত লগালে—

"মই আহিছো—মোৰ প্ৰতিজ্ঞা ৰক্ষা কৰি।"

"বহুত পলম কৰিলা। তোমাৰ সময় এতিয়াহে হল নে?"

"কি কৰিবা! এতিয়া তোমাৰ প্ৰতিজ্ঞা ৰক্ষা কৰা?"

"তাত কি লাভ? সময় যে নাই।"

"কোনে কয় সময় নাই। এয়ে আমাৰ বিয়াৰ লগ্ন। সৌ আকাশত আমাৰ মিলন হব। মই আচল সময়তে পাইছোহি।" গাভৰুৱে নিজৰ ডিঙিৰ পৰা মালা সোলোকাই ডেকাৰ ডিঙিত পিন্ধাই প্ৰণাম কৰিলে। আঁতৰৰ জনতাই বুজিব নোৱাৰি হৈধ্বনি দিলে। সময় উপস্থিত। ফাঁচী-জৰী ডিঙিত আঁৰি দিয়া হল। ৰজাঘৰীয়া ঢোল-পেঁপাই আনন্দৰ চেও মাৰিবলৈ ধৰিলে কোনে কব ই মিলন নে মৃত্যু।*

* বিদেশী গল্পৰ অনুকৰণত।

বেদ আৰু হিন্দুদৰ্শন

—শ্ৰীযুত জীৱেশ্বৰ শৰ্ম্মা, বি-এ

ঋক্, সাম আৰু যজুঃ—এই ত্ৰয়ীৰে সৈতে অথৰ্ব্ব নামে চতুৰ্থ পৰ্য্যায় লগ লাগি চতুৰ্ব্বেদ সম্পূৰ্ণ হোৱাত বেদৰ কলেবৰ অতি বৃহৎ হৈ পৰিল। এই বিশাল বেদৰাশিক আয়ত্ত কৰা অতিশয় দুঃসাধ্য হৈ পৰাত বৈদিক ঋষিসকলৰ চিন্তাৰ ধাৰাই ক্ৰমশঃ সংক্ষিপ্তৰ ফালে গতি ললে। লাহে লাহে বৈদিক শিক্ষাৰ চিন্তাশীল মনিষীসকলে ইতস্ততঃ বিক্ষিপ্ত ভাবৰাশিক প্ৰণালী লগাই শৃঙ্খলাবদ্ধ কৰি সংক্ষিপ্ত কৰাৰ ফল স্বৰূপে সূত্ৰসাহিত্য-সমূহৰ উৎপত্তি হ'ল। সূত্ৰসাহিত্যসমূহৰ প্ৰধান ভাগ দুটা—এভাগ কল্পসূত্ৰ আৰু আনভাগ দাৰ্শনিক সূত্ৰ। কল্পসূত্ৰবোৰ আকৌ শ্ৰৌতসূত্ৰ, গৃহ্যসূত্ৰ আৰু ধৰ্ম্মসূত্ৰ নামে তিন ভাগত বিভক্ত—আৰু প্ৰায় সকলো ভাগেই ক্ৰিয়াকাণ্ড আৰু কৰ্ম্মানুষ্ঠানৰ পথ নিৰূপণত নিয়োজিত। কল্পসূত্ৰৰ কথা আমাৰ আলোচ্য নহয়—আমাৰ লক্ষ্য দাৰ্শনিক সূত্ৰসাহিত্যসমূহতহে। এই সূত্ৰসাহিত্যৰাজিৰ ভিতৰত সকলো বোৰতকৈ বেছি প্ৰসিদ্ধি লাভ কৰে ছটা বিভাগে আৰু এই ছভাগেই ভাৰতৰ মৌলিক দাৰ্শনিক চিন্তাশীলতাৰ চৰম ফল—ভাৰতীয় উচ্চ দাৰ্শনিক সাহিত্যগবেষণাৰ নিৰুপম নিদৰ্শন—ষড়দৰ্শন—গোতমৰ ন্যায় আৰু কণাদৰ বৈশেষিক; কপিলৰ সাংখ্য আৰু পতঞ্জলিৰ যোগদৰ্শন; জৈমিনিৰ পূৰ্ব্বমীমাংসা আৰু বাদৰায়ণৰ উত্তৰমীমাংসা বা বেদান্তদৰ্শন।

এই সূত্ৰসাহিত্যসমূহ যে কেতিয়া পোন-প্ৰথমে ৰচিত হৈছিল তাক নিৰ্ণয় কৰা অতিশয় সহজ কাম নহয়। নানা মুনিৰ নানা মত হলেও বৰ্ত্তমান কালৰ দেশী বিদেশী সকলো পণ্ডিতে উপনিষদৰ কাল ১০০০—৩০০ খৃঃ পূঃ লৈ বুলি ধৰি লৈছে। দৰ্শন সমূহৰ কিছুমান উপনিষদৰ কিছুমানেৰে সৈতে প্ৰায় সমসাময়িক; অৱশ্যে কিছুমান উপনিষদ যে দৰ্শনৰ উৎপত্তিৰ আগেয়ে ৰচিত ই ধ্ৰুৱ সত্য। অনুমান হয় যে হিন্দুদৰ্শন সমূহৰ আবিৰ্ভাৱ কাল ৬০০—৪০০ খৃঃ পূঃৰ ভিতৰতে পৰিব। এইটো নিঃসন্দেহে কব পাৰি যে—ষড়দৰ্শনৰ আজি আমি যি আধুনিক ৰূপ দেখিবলৈ পাওঁ সি কোনো নিৰূপিত সময় বিন্দুত (at point of time) ৰচিত হোৱা নাই—সি বহু শতাব্দীব্যাপী চলি থকা দৰ্শন আলোচনাৰ চৰম ফল। সূত্ৰসমূহ ৰচিত হোৱাৰ বহুকাল পূৰ্ব্বে বিভিন্ন দৰ্শনসমূহৰ আবিৰ্ভাৱ আৰু প্ৰচাৰ কাৰ্য্য আৰম্ভ হয়; কিন্তু তেতিয়াও বেদৰ নিচিনা দৰ্শনসমূহৰ প্ৰচাৰ কাৰ্য্যৰ প্ৰধান আশ্ৰয় আছিল মৌখিক প্ৰথা। শেষত গৈ যুদ্ধদেৱৰ পিছত আৰু খৃষ্টজন্মৰ পূৰ্ব্বশতিকাত এই দৰ্শনসমূহৰ আধুনিক ৰূপত সূত্ৰাকাৰে পূৰ্ণসংস্কাৰকাৰ্য্য সম্পন্ন হয়। সকলো দৰ্শন যে একে ঠাইতে উৎপন্ন হৈছিল তেনেও নহয়; দৰ্শন আলোচনাৰ ভিন্ ভিন্ কেন্দ্ৰস্থলত বিভিন্ন দাৰ্শনিক মতৰ উৎপত্তি। পাশ্চাত্যদেশীয় পণ্ডিত মোক্ষমুলাৰে সূত্ৰসাহিত্য সমূহৰ উৎপত্তি বুদ্ধ আৰু অশোকৰ মধ্যবৰ্ত্তী কালত বুলি কৈও স্বীকাৰ কৰিছে যে বেদান্ত, সাংখ্য আৰু যোগদৰ্শনৰ উৎপত্তিকাল তাতোকৈ বহুপূৰ্ব্বৰে পৰা ধৰিব লাগিব। মোক্ষমুলাৰৰ এই মত ভাৰতীয় অৰ্থনীতিশাস্ত্ৰবদ কৌটিল্যাচাৰ্য্যৰ অৰ্থশাস্ত্ৰৰ দ্বাৰা সমৰ্থিত হয়; কাৰণ অৰ্থশাস্ত্ৰত আন্বীক্ষিকীৰ (Logical systems) দুটা ভাগ মাত্ৰ দেখিবলৈ পোৱা যায়—এটা পূৰ্ব্বমীমাংসা আৰু আনটো সাংখ্য। কিন্তু দেশীয় পণ্ডিত সকলৰ মতে কিছুমান দৰ্শনৰ উৎপত্তি কাল বুদ্ধদেৱৰ বহু আগতে বুলি নিৰ্ণীত; কাৰণ বৌদ্ধসূত্ৰ সমূহৰ দাৰ্শনিক মতৰ ক্ষীণ আভাস মাত্ৰ দেখিবলৈ পালেও এইটো দৃঢ় প্ৰতীতি হয় যে বৌদ্ধসূত্ৰপ্ৰণেতা সকলৰ ষড়দৰ্শনৰ সম্যক জ্ঞান আছিল।

দৰ্শন সমূহৰ মৌলিকতা সম্বন্ধে আলোচনা কৰিলে জনা যায় যে দৰ্শনশাস্ত্ৰ সমূহ গোতম প্ৰভৃতি ঋষি সকলৰ অসীম প্ৰতিভাৰ পৰিচায়ক হলেও প্ৰকৃততে তেওঁলোকৰ নিজ প্ৰতিভাপ্ৰসূত অভিনব কল্পনা মাত্ৰ নহয়। এই দৰ্শনসমূহৰ প্ৰতিপাদ্য দাৰ্শনিক তত্ত্ববোৰ আৰু তাৰ আলোচনা পদ্ধতি ভাৰতৰ অতি প্ৰাচীন কালৰ সম্পত্তি। ইয়াৰ দ্বাৰা ভালদৰে বুজিব পাৰি যে ভিন্ ভিন্ দৰ্শনশাস্ত্ৰ প্ৰণেতাসকল সেই সেই দাৰ্শনিক মতৰ মৌলিক প্ৰবৰ্ত্তক নহয়—সংগ্ৰহ কৰ্ত্তাহে মাথোন। কিয়নো সূত্ৰাকাৰে দৰ্শনশাস্ত্ৰ সমূহ ৰূপবান হোৱাৰ বহু পূৰ্ব্বেই বিভিন্ন দৰ্শনিক মতবোৰ লোকসমাজত প্ৰচলিত আছিল। গোতমাদি ঋষি সকলৰ আবিৰ্ভাবৰ বহুকাল পূৰ্ব্বে স্মৰণাতীত যুগতো ব্ৰহ্ম, জীৱ, জগৎ, বন্ধ, মোক্ষ আৰু জন্মান্তৰ ৰহস্য বিষয়ক দৰ্শনোচিত চিন্তা যে এই দেশৰ পণ্ডিত সমাজত সমাদৃত আৰু প্ৰচলিত আছিল তাৰ যথেষ্ট নিদৰ্শন দেখিবলৈ পোৱা যায়। বেদতেই সৰ্ব্বপ্ৰথমে দাৰ্শনিক চিন্তাৰ সৈতে পৰিচিত হওঁ; তাৰ পিছত ক্ৰমশঃ বৈদিক উপনিষদ ভাগৰ প্ৰায় সকলো ঠাইতে গভীৰ দাৰ্শনিকতা দেখিবলৈ পোৱা যায়; আনকি সংহিতা ভাগতো ইয়াৰ অভাৱ নাই, যদিও পৰিমাণত কম আৰু ইতস্ততঃ বিক্ষিপ্ত।

বৈদিক মন্ত্ৰাৱলীৰ নিচিনা দৰ্শনসমূহৰো আশ্ৰয়স্থান মৌখিক প্ৰথা হোৱাৰ গুণে কালক্ৰমত মানুহৰ স্মৃতিশক্তি হ্ৰাস পোৱাত কিমান যে দাৰ্শনিক গ্ৰন্থ কালৰ গৰ্ভত একেবাৰে লুপ্ত হৈ গৈছে তাৰ ইয়ত্তা নাই—আৰু যি কেইখন আজি আমাৰ হস্তগত হৈছে সিও যে অবিকৃতভাৱে আছে তাৰ কোনো নিশ্চয়তা নাই। বৈখানস-সূত্ৰ, বৃহস্পতি-সূত্ৰ আৰু ভিক্ষুসূত্ৰ প্ৰভৃতি কেতবোৰ অতি প্ৰাচীন কালৰ উচ্চ ধৰণৰ আৱশ্যকীয় দাৰ্শনিক সূত্ৰসাহিত্য কেতিয়াবাই কালৰ গৰ্ভত বিলীন হৈ গ'ল। সম্ভৱতঃ সেইবিলাকৰ লগতে দৰ্শন সম্বন্ধে বহুত বাতৰিও আমি হেৰুৱাইছোঁ।

প্ৰত্যেক দৰ্শনৰ উৎপত্তিৰ পূৰ্ব্বে পোৱা যায় একোটি দাৰ্শনিক মতৰ হেন্দোলনি—সন্দেহ আৰু সংশয়পূৰ্ণ সামাজিক অৱস্থা এই সংশয়াৱস্থা দূৰ কৰি মানসিক শান্তি স্থাপনৰ নিমিত্তে সময় আৰু সামাজিক অৱস্থা অনুসৰি বিভিন্ন দৰ্শনৰ উৎপত্তি হয়। এই কথাৰ অনুসন্ধান কৰিলে দৰ্শনসমূহৰ পৌৰ্ব্বাপৰ্য্য আলোচনা কৰিবলৈ কৌতূহল জন্মে। দৰ্শনশাস্ত্ৰ সমূহৰ তুলনামূলক আলোচনা কৰিলে দেখা যায় যে প্ৰত্যেক দৰ্শনেই আন দৰ্শনৰ স্পষ্ট নাম উল্লেখ নকৰিলেও ইখনে আনখনৰ প্ৰতিপাদ্য বিষয়বোৰ খণ্ডন কৰি নিজ নিজ সিদ্ধান্ত স্থাপন কৰিবলৈ যত্নপৰ হৈছে। কেৱলমাত্ৰ সাংখ্য দৰ্শনত "ন বয়ং ষট্পদাৰ্থবাদিনো বৈশেষিকাদিবৎ" ইত্যাদি উক্তিৰ দ্বাৰা সাংখ্যত বৈশেষিক দৰ্শনৰ স্পষ্ট নামোল্লেখ আৰু কণাদৰ ষট্পদাৰ্থবাদৰ প্ৰত্যাখ্যানৰ কথা বিশেষভাৱে দৃষ্ট হয়। এই দৰে প্ৰায় সকলো দৰ্শনে সকলো দৰ্শনক অল্পাধিক পৰিমাণে আক্ৰমণ কৰিছে। গতিকে দৰ্শনশাস্ত্ৰ সমূহৰ কোনখন আগৰ কোনখন পাছৰ তাক নিঃসংশয়ৰূপে নিৰ্ণয় কৰা একপ্ৰকাৰ অসম্ভৱ। এই বিষয়ে ইতিহাস নীৰৱ থাকিলেও দৰ্শন সমূহৰ পদাৰ্থ সঙ্কলনৰ প্ৰণালী দেখি এইদৰে ভবাটো যুক্তিসঙ্গত বুলি অনুমান হয় যে সৰ্ব্বপ্ৰথম গোতম, দ্বিতীয় কণাদ, তৃতীয় কপিল, চতুৰ্থ পতঞ্জলি, পঞ্চম জৈমিনি আৰু ষষ্ঠ বা সৰ্ব্বশেষ বাদৰায়ণ। আধুনিক পাশ্চাত্য বিজ্ঞান আৰু দৰ্শন উভয়ৰে সম্মত জাগতিক পদাৰ্থৰ বিশ্লেষণ আৰু একীকৰণ পদ্ধতি হিন্দুদৰ্শন সম্বন্ধেও বিশেষভাৱে পৰিলক্ষিত হয়। বিবেক জ্ঞানৰ সুবিধাৰ নিমিত্তেই দৰ্শন শাস্ত্ৰত পদাৰ্থ সঙ্কলন কৰা একান্ত আৱশ্যক, কিয়নো জাগতিক অনন্ত পদাৰ্থৰ প্ৰত্যেকটোৰে তত্ত্ববিজ্ঞান বা মূল পৰিচয় অৱগত হোৱা কোনো জীৱৰ পক্ষে সম্ভৱপৰ নহয়। গতিকে দৰ্শনকাৰসকলে জাগতিক পদাৰ্থবোৰৰ বেলেগ শ্ৰেণীবিভাগ কৰিছে সমাজৰ বুদ্ধিবিকাশ আৰু প্ৰতিভা বৃদ্ধিৰ লগে লগে সেই শ্ৰেণী বিভাগৰ বিস্তাৰ কমি যায় আৰু তেতিয়া কেইটামান সূক্ষ্ম বিভাগৰ দ্বাৰাই কাম চলে দেখি সেই সূক্ষ্ম বিভাগকে ধৰি তত্ত্ব নিৰূপণ কৰিবলৈ চিন্তাশীলসকল প্ৰবৃত্ত হয়।

তদুপৰি অনুমান হয় যে গোতমৰ আগেয়ে ভাৰতীয় সমাজত সাময়িকভাৱে নাস্তিকতাই চৰম সীমা পাইছিল গৈ মানুহৰ মনৰ পৰা পৰলোক আৰু ঈশ্বৰ চিন্তাই বিদায় লৈছিল। ইহকালকেই সৰ্ব্বস্ব বুলি "যাবজ্জীবেৎ সুখং জীবেৎ ঋণং কৃত্বা ঘৃতং পিবেৎ, ন স্বৰ্গো নাপবৰ্গো বা নৈবাত্মা পাৰলৌকিকঃ" ইত্যাদি নাস্তিক মতৰ মহামন্ত্ৰই সমাজৰ বেছিভাগৰ সংস্কাৰৰূপ পৰিণত হৈছিল। ঠিক সেই সময়তে মহৰ্ষি গোতমৰ হৃদয় সমাজৰ ফালে আকৃষ্ট হ'ল মহৰ্ষিয়ে বুজি পালে যে সেই সময়ত দুৰ্জ্ঞেয় সূক্ষ্ম ব্ৰহ্মতত্ত্বৰ উপদেশে সমাজৰ কোনো উপকাৰ নকৰিব বৰঞ্চ হিতে বিপৰীত হোৱাৰ বেছি সম্ভাৱনা বুলি ভাবি একমাত্ৰ দেহাত্ম বুদ্ধি (Subjective Idealism) নিৰাশ কৰিবলৈ নানা যুক্তিতৰ্ক দেখুৱাই প্ৰমাণ-প্ৰমেয় প্ৰভৃতি ষোড়শ পদাৰ্থৰ অৱতাৰণা কৰি কিঞ্চিৎ পৰিমাণে নাস্তিকতা প্ৰশমিত কৰিয়েই ক্ষান্ত হ'ল।

গোতমৰ পিছত কণাদ গোতমে ষোড়শ পদাৰ্থৰ দ্বাৰা যি কাম কৰিবলৈ সমৰ্থ হৈছিল কণাদে তাৰ ঠাইত ছটা মাত্ৰ পদাৰ্থৰ সহায়েৰে সেই কামত কৃতকাৰ্য্য হ'ল; কাৰণ কণাদে দেখিলে যে গোতমৰ প্ৰবৰ্ত্তিত সিদ্ধান্ত অনুসৰি মানুহৰ দেহাত্মবুদ্ধি কিছু পৰিমাণে হ্ৰাস পাইছে কিন্তু স্বভাৱকাৰণতাবাদ (Naturalism) নিখুতভাৱে ৰৈ গৈছে গতিকে কণাদে গোতমৰ অনুক্তাংশ মাত্ৰ পৰিপূৰণ কৰি পৰমাণুকাৰণবাদ (Atomistic Pluralism) স্থাপন কৰিবলৈ বৈশেষিক দৰ্শন প্ৰণয়ন কৰিলে। কণাদৰ উদ্ভাবিত 'বিশেষ' পদাৰ্থৰ আবিষ্কাৰতেই বৈশেষিক দৰ্শনৰ বিশেষত্ব। সাধাৰণভাৱে বিশেষ মানে ব্যক্তি (Individual) কিন্তু বৈশেষিক দৰ্শনৰ মতে যি অসাধাৰণ ধৰ্ম্মদ্বাৰা নিৰৱয়ব পদাৰ্থৰ পৰস্পৰ ভেদ সিদ্ধ হয় তাৰে নাম 'বিশেষ' বৈশেষিক দৰ্শনৰ আন এটা নাম ঔলুক দৰ্শন" ইয়াৰ পৰা কিছুমান পণ্ডিতে অনুমান কৰে যে মহাভাৰতত উক্ত 'উলুক' নামে ঋষি আৰু 'কণাদ' একেজন পুৰুষ। ইয়াৰ দ্বাৰাও বুজা যায় যে বৈশেষিক দৰ্শন অতি প্ৰাচীন।

তাৰ পিছত কপিলৰ কথা। কণাদে ছটা পদাৰ্থৰ দ্বাৰা যি কাম কৰিব পাৰিছিল, কপিলে উন্নত সমাজৰ দাৰ্শনিক চিন্তাৰ পৈণত অৱস্থা পাই কেৱল প্ৰকৃতি আৰু পুৰুষ এই দুটা মাত্ৰ পদাৰ্থৰ দ্বাৰা সেই কাম সম্পন্ন কৰিলে। কাৰণ কপিলে দেখিলে যে ন্যায় আৰু বৈশেষিক দৰ্শনৰ প্ৰচাৰৰ ফলত মানুহৰ হৃদয়ৰ পৰা নাস্তিকতা (Scepticism) আৰু দেহাত্ম বুদ্ধি (Subjective Idealism) সম্পূৰ্ণৰূপে বিদূৰিত হৈছে; তদুপৰি আধ্যাত্মিক চিন্তাৰ প্ৰতি মানুহৰ বিশেষ আগ্ৰহ উৎপন্ন হৈছে; গতিকে কপিলে আৰু অপমান আগবাঢ়ি বিবেক জ্ঞানৰ উপযোগী জ্ঞাতা জ্ঞেয় পুৰুষ প্ৰকৃতি সম্বন্ধে আত্মতত্ত্বৰ উপদেশবোৰ প্ৰচাৰ কৰিবলৈ সাংখ্যদৰ্শন ৰচনা কৰিলে।

সাংখ্যৰ পিছত পতঞ্জলিৰ যোগদৰ্শন। কপিল আৰু পতঞ্জলিৰ ভিতৰত পদাৰ্থ সংকলন সম্বন্ধে তিমান প্ৰভেদ নাই; পতঞ্জলিয়ে কপিলৰ অনুক্তাংশমাত্ৰ পূৰণ কৰিছে। কিয়নো পতঞ্জলিয়ে দেখিবলৈ পালে যে তেওঁৰ সময়ত কপিলৰ সিদ্ধান্তত কাৰো সংশয় নাই অথচ অধ্যাত্ম পথতো সমাজ কিছুদূৰ অগ্ৰসৰ হৈছে; গতিকে তেওঁ সৰ্ব্বপ্ৰথমে বিবেকজ্ঞানৰ উপযোগী 'যোগমাৰ্গ' অতি বিশদ আৰু সৰলভাৱে বুজাই দি যোগসিদ্ধিৰ অন্যতম উপায়ৰূপে ঈশ্বৰৰ অৱতাৰণা কৰিলে। কিন্তু তেতিয়াও নিৰ্ব্বিশেষ ব্ৰহ্মবিদ্যাৰ তত্ত্বোপদেশ গ্ৰহণ কৰিবলৈ সমাজ উপযুক্ত হোৱা নাই বুলি ভাবি পতঞ্জলিয়ে ঈশ্বৰক জীৱসুলভ ক্লেশ কৰ্ম্মাদি দোষশূন্য পুৰুষ বিশেষ মাত্ৰ বুলি নিৰ্দ্দেশ কৰি কেৱল ঈশ্বৰোপাসনাৰ ফালে মানুহৰ দৃষ্টি বিশেষভাৱে আকৃষ্ট হবলৈ ক্ৰিয়াযোগ, জ্ঞানযোগ আৰু যাগফল প্ৰভৃতি নিৰূপণ কৰি যোগদৰ্শন সমাপ্ত কৰিলে।

পতঞ্জলিৰ পিছত মহামুনি জৈমিনিৰ বিচাৰ্য্য বিষয় প্ৰধানভাৱে কৰ্ম্ম আৰু অদৃষ্ট সম্বন্ধেই নিয়োজিত। পদাৰ্থ সংকলনৰ বাবে জৈমিনিৰ কোনো চেষ্টা দেখা নাযায়; গতিকে তেওঁৰ সম্বন্ধে আমাৰ বিশেষ বক্তব্য নাই, তথাপি এইফেৰা মাথোন কব পাৰি যে জৈমিনিৰ সময়ত

তেওঁৰ পূৰ্ব্বে হোৱা দৰ্শনসকলৰ প্ৰচাৰৰ ফলত ঈশ্বৰ-উপাসনা, অদৃষ্ট, পৰলোক প্ৰভৃতিত মানুহৰ বিশ্বাস অটুট থাকিলেও বেদৰ স্বতঃপ্ৰামাণ্য বিষয়ে তত্ত্বজিজ্ঞাসুসকল সম্পূৰ্ণৰূপে সংশয়শূন্য হব পাৰা নাছিল। সমাজৰ এই সংশয়াৱস্থা দূৰ কৰিবৰ বাবেই যে জৈমিনি প্ৰণীত দৰ্শনৰ প্ৰয়োজন হৈছিল তাক পূৰ্ব্বমীমাংসা দৰ্শনৰ মীমাংসা শব্দৰ পৰাই ভালদৰে বুজিব পাৰি; কিয়নো মীমাংসা মাত্ৰেই সংশয়সাপেক্ষ; য'ত সংশয় নাই তাত কোনো মীমাংসাৰ দৰ্কাৰ নহয়; যিহত সংশয় তাতেহে মীমাংসাৰ প্ৰয়োজন। দুয়োখন মীমাংসাই প্ৰমাণ কৰিছে যে বৈদিক ঋষিসকলৰ অনুভূতিলব্ধ তত্ত্ববোৰ দাৰ্শনিক সিদ্ধান্ত সমূহৰ সামঞ্জস্য পৰিপোষক।

সৰ্ব্বশেষত বেদান্ত দৰ্শন প্ৰণেতা বাদৰায়ণ বা বেদব্যাস। গোতম, কণাদ, কপিল প্ৰভৃতিয়ে ষোড়শ, ছয়ৰ পৰা দুটালৈকে পদাৰ্থ স্বীকাৰ কৰি যি কাম কৰিছিল বেদব্যাসে অনুকূল সময়ৰ সুযোগ পাই সেই সকলোৰে ঠাইত একমাত্ৰ "একমেবাদ্বিতীয়ম্" ব্ৰহ্মপদাৰ্থৰ দ্বাৰা নিজ মত প্ৰতিষ্ঠিত কৰিবলৈ সমৰ্থ হ'ল।

হিন্দুদৰ্শনসমূহৰ ভিতৰত এই বিশ্লেষণ আৰু একীকৰণ-মূলক গতিধাৰা (Transition from Analysis to Synthelic Unification) লক্ষ্য কৰি কিছুমান দেশী-বিদেশী আধুনিক পণ্ডিতে ভাবে যে সমাজৰ শিক্ষা-দীক্ষা, জ্ঞান আৰু চিন্তাশীলতাৰ লগে লগে হিন্দুদৰ্শনসমূহৰো ক্ৰমোন্নতি ঘটিছে। এই মতৰ মূল ভিত্তি অনুসন্ধান কৰিবলৈ গলে আধুনিক যুগৰ আবিষ্কৃত এটা ইউৰোপীয় নতুন তথ্যৰ ওচৰ চাপিব লগা হয়। সেইটো হৈছে ক্ৰমপৰিণাম বা ক্ৰমোন্নতিবাদ (Theory of Evolution)। এই পণ্ডিতসকলৰ মতে মহৰ্ষি গোতম, কণাদ, কপিল প্ৰভৃতি মহামুনিসকলৰ বিদ্যাবুদ্ধি তেওঁলোকৰ প্ৰণীত নিজ নিজ গ্ৰন্থতে সীমাবদ্ধ, তাতকৈ অধিক চিন্তা তেওঁলোকৰ জ্ঞানভাণ্ডাৰত নাছিল। ভাৰতীয় হিন্দু-দৰ্শন প্ৰণেতা ঋষিসকলৰ সম্বন্ধে যদি এই ক্ৰমপৰিণামবাদ বাস্তৱিকে সঁচা হয় তেন্তে কপিল, কণাদ, গোতম আৰু জৈমিনি প্ৰভৃতি ত্ৰিকালজ্ঞ মহামুনিসকল যে ঈশ্বৰতত্ত্ব বিষয়ে অজ্ঞ আছিল এই কথা ধৰি লব লাগিব। কাৰণ তেওঁলোকৰ দৰ্শনত মুখ্যভাৱে ঈশ্বৰৰ স্থান নাই বুলিলেও অত্যুক্তি কৰা নহয়; এতেকে তেওঁলোক দাৰ্শনিক পণ্ডিতৰ সম্পূৰ্ণ সন্মান পাবৰ অযোগ্য। আৰু এই ক্ৰমপৰিণাম সত্য হলে ঋষিসকলক অমানুষিক শক্তি-সম্পন্ন বুলি ভবাটোও অলীক কল্পনা মাত্ৰ হৈ পৰে; তেওঁলোকো সৰ্ব্বসাধাৰণ ৰাম, শ্যাম, হৰি, মধুৰ নিচিনাহে। আনপক্ষে ঋষিসকলক যদি দিব্যজ্ঞানসম্পন্ন আৰু ত্ৰিকালজ্ঞ বুলি ধৰি লোৱা হয় তেন্তে এইটো স্বীকাৰ কৰিব লাগিব যে তেওঁলোকৰ বিদ্যাবুদ্ধি আৰু চিন্তা-শীলতাৰ গভীৰতা কেৱল নিজ নিজ গ্ৰন্থতেই আবদ্ধ নাছিল—কাৰণ তেওঁলোক আছিল সত্যধৰ্ম্মৰ প্ৰবৰ্ত্তক—সৰ্ব্বজ্ঞ সৰ্ব্ববিদ্। জগতত এনেকুৱা দৃষ্টান্ত বহুত আছে যে একোজন মানুহে বহু বিষয়ত বিচক্ষণ পণ্ডিত হৈও অনুৰাগবশতঃ কেৱল এটামাত্ৰ বিষয়ৰ বিশেষভাৱে অনুশীলন কৰি সেই বিষয়ত গ্ৰন্থাদি ৰচনা কৰে। মহামতি পাণিনিয়ে অকল ব্যাকৰণশাস্ত্ৰ প্ৰণয়ন কৰিছিল বুলি যে আন বিষয়ৰ পণ্ডিত নাছিল তেনে নহয়। বহুদৰ্শী পিতাকে শিশুপুত্ৰক শিকাবলৈ "শিশুশিক্ষা" ৰচনা কৰা বাবে তেওঁৰ বিদ্যাবুদ্ধিৰ সীমা শিশুশিক্ষাতে আবদ্ধ বুলি কব লাগিবনে? প্লেটো এৰিষ্টট্‌ল প্ৰভৃতি মনিষি সকল অকল দাৰ্শনিক পণ্ডিতেই আছিল নে? এতেকে এইটো ভবা যুক্তিযুক্ত যে গোতম প্ৰভৃতি ঋষি-সকল সৰ্ব্বজ্ঞ হৈও সমাজৰ কল্যাণাৰ্থে যিজনে যেতিয়া যিহৰ প্ৰয়োজন বোধ কৰিছিল তেওঁ তেতিয়া সেই বিষয়ৰ একোখন দৰ্শনশাস্ত্ৰ ৰচনা কৰিছিল।

ষড়দৰ্শনসমূহৰ মতবাদ আৰু প্ৰবৰ্ত্তক ভিন্ ভিন্ হলেও কিছুমান বিষয়ত সকলোৰে সমাঞ্জস্য দেখা যায়। বেদৰ সত্যতা সকলোৱে একেমুখে স্বীকাৰ কৰাত এইটো ভালদৰে বুজা যায় যে সকলো দৰ্শনেই একে ভৰালৰ পৰা ভাবৰাশি উদ্ধৃত কৰি নিজ নিজ মত সমৰ্থন কৰিবলৈ নিজৰ নিজৰ সুবিধা অনুসৰি একে বৈদিক ভাবকে বিভিন্ন প্ৰকাৰে ব্যাখ্যা কৰিছে। সকলো দৰ্শনতেই অবিদ্যা, মায়া, পুৰুষ, জীৱ প্ৰভৃতি শব্দবোৰ ব্যৱহৃত

হৈছে। কিন্তু বেদতকৈ দৰ্শনৰ বিশেষত্ব হৈছে যুক্তি তৰ্ক আৰু মীমাংসা স্থাপনত। বেদত আধ্যাত্মিক অনুভূতি, দৰ্শনত যুক্তিতৰ্কৰ বিচাৰেৰে বেদাৰ্থৰ সমৰ্থন। কথিত আছে যে এই ষড়দৰ্শনত বাহিৰে আৰু ছখন নাস্তিক দৰ্শন আছে। আস্তিক আৰু নাস্তিক দৰ্শনৰ পাৰ্থক্য ঈশ্বৰৰ অস্তিত্ব লৈ তিমান বেছি নহয় যিমান বেদৰ সত্যতালৈ। মনুৱে কৈ গৈছে "নাস্তিকো বেদনিন্দকঃ"। প্ৰত্যেক দৰ্শনেই বৈদিক ঋষিসকলৰ অনুভূতিলব্ধ আধ্যাত্মিক তত্ত্ববোৰ যুক্তি তৰ্কেৰে সমালোচনা কৰিহে গ্ৰহণ কৰিছে।

প্ৰত্যেক দৰ্শনতে প্ৰকৃত জ্ঞান লাভৰ উপায় ভিন ভিন প্ৰকাৰে প্ৰদৰ্শিত হৈছে। সকলো দৰ্শনতে যথাৰ্থ জ্ঞানৰ নাম প্ৰমা; প্ৰমাৰ তিৰিক্ত সকলো ভ্ৰমজ্ঞান। যিহে 'প্ৰমা' অৰ্থাৎ যথাৰ্থ জ্ঞান জন্মায় দৰ্শনত তাৰ নাম 'প্ৰমাণ'; প্ৰমাণৰ বিষয়েই 'প্ৰমেয়'। অনুভূতি, অনুমান আৰু বেদক সকলো দৰ্শনে সমভাৱে মানে। কেৱল তৰ্কবুদ্ধিৰে জীৱনৰহস্য ভেদ কৰি পূৰ্ণভাৱে হৃদঙ্গম কৰা সাধাৰণ জীৱৰ পক্ষে অসম্ভৱ বুলি প্ৰত্যেক দৰ্শনে ঋষিসকলৰ অনুভূতিক সৰ্ব্বোচ্চ স্থান দিছে। আত্মজ্ঞানেই বিশ্বজগতৰ পৰিণতি নহয়—নিজৰ প্ৰত্যেক জ্ঞানতকৈ যি উচ্চতৰ মহীয়ান আৰু গৰীয়ান—যাক অনুভূতি, স্বপ্ৰকাশ অথবা দিব্যদৃষ্টি প্ৰভৃতি আখ্যা দিয়া হয় সেই দিব্যজ্ঞানৰ ওচৰত সকলো দৰ্শনেই অৱনতশিৰে পৰাজয় মানিবলৈ বাধ্য হৈছে; কিয়নো তৰ্কবুদ্ধিৰ ক্ষীণ শক্তিয়ে দিব্য অনুভূতিৰ দিব্য আলোক দৰ্শন কৰিব নোৱাৰে, পৰাটো অসম্ভৱ। কেৱল যুক্তিতৰ্কৰ বিচাৰতেই ভাৰতীয় দৰ্শনৰ শেষ নহয়—হিন্দু-দৰ্শনৰ মূল ভিত্তি দিব্যজ্ঞান আৰু অনুভূতি। যাৰ হৃদয়ত এই দিব্যজ্ঞানৰ দিব্য তৃষ্ণা জাগি নুঠে, হিন্দুদৰ্শনৰ তত্ত্বৰহস্য উদ্ঘাটন কৰিব যোৱা তাৰ পক্ষে বিড়ম্বনা মাথোন।

বৌদ্ধধৰ্ম্মৰ নাস্তিকতাৰ বিৰুদ্ধে সকলো দৰ্শনে ঘোৰতৰ প্ৰতিবাদ কৰি ঈশ্বৰবাদৰ বিজয়পতাকা ভাৰতীয় দাৰ্শনিক সমাজত সগৌৰৱে উৰুৱাইছে। সকলোৰে মতে বিশ্বজগতৰ বিবৰ্ত্তন অনাদি কালৰ পৰা চলি আছে আৰু চলি থাকিব। প্ৰকৃতি, মায়া কিম্বা অণুত এই জগৎব্ৰহ্মাণ্ডৰ উৎপত্তি আৰু লয়। নাম-ৰূপ-বিহীন হৈ য'ত জগতৰ অন্তৰ্দ্ধান হয় তাকেই দাৰ্শনিক পণ্ডিত সকলৰ কিছুমানে 'প্ৰকৃতি' কিছুমানে 'মায়া' আৰু আন কিছুমানে 'অণু' বোলে। এই বিশ্বজগত যে ছন্দে বদ্ধ, অৰ্থাৎ জগতৰ যে এটা গতিলয়ৰ ধাৰা আছে—বেদত যাৰ নাম 'ধাতম'—সেই জাগতিক লয় বা সুৰক সকলো দৰ্শনে সমভাৱে স্বীকাৰ কৰে।

প্ৰত্যেক দৰ্শনৰে মূল ভিত্তি দুঃখবাদ। সকলো দৰ্শনকাৰৰ মতে সংসাৰ দুঃখৰ আলয়, শোক অশান্তিৰ লীলানিকেতন। সংসাৰত যি অলপ সুখৰ ক্ষীণ আলোক দেখা যায় সি অকল ক্ষণস্থায়ীয়েই নহয় দুঃখৰ পূৰ্ব্বৰূপ হে মাথোন। সেই অকিঞ্চিৎকৰ সুখৰ ক্ষীণ আভাসত জীৱ সন্তুষ্ট হৈ থাকিব নোৱাৰে, থকা অসম্ভৱ। সেই কাৰণে এই দুঃখনাশৰ নিমিত্তে জীৱে নানা তৰহৰ উপায় অন্বেষণ কৰে; কিন্তু জীৱে যি উপায়কেই অৱলম্বন নকৰক সি কোনোমতে সংসাৰৰ দুঃখৰ আক্ৰমণ এৰাব নোৱাৰে—বাৰে বাৰে সংসাৰৰ দুঃখচক্ৰত মেৰপাক খাই পৰে; অথচ দুঃখনাশ জীৱৰ একান্ত ঈপ্সিত—দুঃখনাশেই জীৱৰ পৰম পুৰুষাৰ্থ। এই দুঃখহানিৰ প্ৰকৃষ্ট উপায় উদ্ভাৱনৰ নিমিত্তেই দৰ্শন শাস্ত্ৰৰ অনুশীলনৰ প্ৰয়োজন। দুখঃ, শোক, অশান্তি, অনিশ্চয়তা আৰু সন্দেহৰ পৰা পূৰ্ণমুক্তি, হৃদয়ৰ পৱিত্ৰতা, মানসিক শান্তি আৰু স্বাধীনতা, দৰ্শনৰ এক কথাত যাক 'আনন্দম্' বোলা হয় সেই পূৰ্ণানন্দ প্ৰাপ্তিয়েই সকলো দৰ্শনৰ আদৰ্শ। প্ৰায় সকলো দৰ্শনৰ মতে জীৱন্মুক্তাৱস্থা লাভেই এই বিমল আনন্দ প্ৰাপ্তিৰ প্ৰধান উপায়। মুঠতে কবলৈ গলে হিন্দুদৰ্শনৰ আৰম্ভ দুঃখবাদত আৰু তাৰ সমাপ্তি দুঃখনাশত। যদিও সকলো দৰ্শনে এই দুখ নিবাৰণৰ উপায় নিৰ্দ্দেশ কৰিছে তথাপি সকলোৰে নিৰ্দ্ধাৰিত উপায় একে ৰকমৰ নহয়। ভিন্ ভিন্ দাৰ্শনিকে দুঃখনাশৰ ভিন্ ভিন্ উপায় নিৰ্দ্ধাৰণ কৰিছে।

সমুদায় দৰ্শনশাস্ত্ৰ আলোচনা কৰিলে দেখা যায় যে একমাত্ৰ উত্তৰ মীমাংসা বা বেদান্ত দৰ্শনত বাহিৰে আন সকলো দৰ্শনৰ উদ্ভাৱিত দুঃখহানিৰ প্ৰণালীৰে সৈতে

ঈশ্বৰৰ সম্পৰ্ক তিমান ঘনিষ্ঠ নহয়। দেখোতে সংখ্যা আৰু পূৰ্ব্বমীমাংসাত ঈশ্বৰ প্ৰায় প্ৰত্যাখ্যাত বুলিয়েই অনুমান হয়; কিন্তু আচলতে তেনে নহয়। অৱশ্যে সাংখ্যমত আজি অনাদৃত আৰু মৃতপ্ৰায়—সাংখ্যমতত বিশ্বাস আজি প্ৰাণহীন। আনপক্ষে পূৰ্ব্বমীমাংসা আজিও হিন্দু আইনেৰে সৈতে ওতপ্ৰোতভাৱে জড়িত। সাংখ্য আৰু পূৰ্ব্বমীমাংসাক নিৰীশ্বৰবাদী বুলিও কব নোৱাৰি; কিয়নো বিজ্ঞানাচাৰ্য্যই কয় যে সাংখ্যকাৰে এনেকুৱা কথা কোৱা নাই যে—"ঈশ্বৰাভাৱাৎ" অৰ্থাৎ ঈশ্বৰ একেবাৰে নাই; তেওঁ কেৱল কৈছে যে—"ঈশ্বৰাসিদ্ধেঃ" (সাংখ্যদৰ্শন ১৯২) অৰ্থাৎ বিবেকজ্ঞানৰ যুক্তিতৰ্কেৰে ঈশ্বৰৰ অস্তিত্ব সিদ্ধ নহয়। সাংখ্যদৰ্শনে অৱশ্যে এজন ব্যৱস্থাপক ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰে কিন্তু সেই ঈশ্বৰজন প্ৰকৃতিৰ শক্তিত অন্তৰ্লীন; সৃষ্টিৰ আৰম্ভণিত প্ৰকৃতিৰ অৱস্থা-ভেদে স্তৰে স্তৰে প্ৰকৃতিৰ ক্ৰমোন্নতিৰ সংগঠন কাৰ্য্যৰ কৰ্ত্তা মাথোন। সাংখ্যমতে ঈশ্বৰৰ স্বকৰ্ত্তৃত্ব নাই; তেওঁ প্ৰকৃতিৰ শক্তিত শক্তিমান; সৃষ্টি আৰম্ভণত সংগঠন কাৰ্য্য কৰোতা আকস্মিক ঈশ্বৰ মাত্ৰ।

মীমাংসা দৰ্শনেও ঈশ্বৰ কেৱল অনুমানৰ দ্বাৰা সিদ্ধ নহয় বুলিহে কৈছে; বেদজ্ঞানেৰে বুজোৱা পৰমেশ্বৰ নাই বুলি কেতিয়াও কোৱা নাই। কাৰণ যেতিয়া মণ্ডন মিশ্ৰই আচাৰ্য্য শঙ্কৰক প্ৰশ্ন কৰিছিল যে মহামুনি জৈমিনিয়ে কি কাৰণে ঈশ্বৰ নাই বুলি কয়—তাৰ উত্তৰত শঙ্কৰাচাৰ্য্যই কৈছে "পণ্ডিত সকলে জৈমিনিৰ গূঢ়ভাৱ পৰ্য্যালোচনা নকৰিয়েই 'জৈমিনিয়ে ঈশ্বৰ নামানে' এই বুলি কব খোজে। পৰমেশ্বৰ সম্বন্ধে অনুমানৰ খণ্ডন কৰা বাবেই পৰমাত্মবিদ্ সকলৰ ভিতৰত অগ্ৰগণ্য সেই মহামুনি জৈমিনিয়ে নিৰীশ্বৰবাদী হব এইটো একেবাৰে অসম্ভৱ। গতিকে বুজা গল যে কেৱল অনুমানৰ দ্বাৰা ঈশ্বৰজ্ঞান লাভ কৰা দুষ্কৰ বুলিহে জৈমিনিয়ে কৈছে। অৱশ্যে জৈমিনিয়ে বেদৰ প্ৰাধান্যৰ প্ৰতি বিশেষ লক্ষ্য দেখুৱাইছে কিন্তু সেই বুলি বেদপ্ৰতিপাদ্য পৰমেশ্বৰ যে মূলত স্বীকাৰ কৰা নাই তেনে নহয়।

ন্যায় আৰু বৈশেষিক দৰ্শনে যদিও ঈশ্বৰৰ অস্তিত্ব প্ৰতিপাদন কৰিছে তথাপি উভয়ৰে উপদিষ্ট উপায়ৰ গত ঈশ্বৰৰ কোনোৰূপ সম্বন্ধ নাই। আজি বৈশেষিক দৰ্শনৰ বেছি সন্মান নাথাকিলেও ন্যায়ৰ যুক্তিতৰ্ক আৰু বাদ-বিতণ্ডাৰ বিশেষ সমাদৰ ভাৰতৰ আন ঠাইতকৈ অধিক বেছি। পাতঞ্জল বা যোগদৰ্শনে যদিও ঈশ্বৰক যোগ প্ৰণালীৰ সৈতে সংযুক্ত কৰিছে তথাপি তাত ঈশ্বৰৰ স্থান অতিশয় গৌণ। ব্যৱহাৰিক দৰ্শন হিচাপে যোগদৰ্শন আজি অতি অল্পসংখ্যকৰ ভিতৰতহে প্ৰচলিত। এক মাত্ৰ বেদান্ত দৰ্শনে নানাৰূপ মুখ্যভাৱে ঈশ্বৰৰ প্ৰতিপাদন কৰি বিশ্বসমাজত সৰ্ব্বশ্ৰেষ্ঠ প্ৰতিষ্ঠা লভিছে। মূল বেদান্ত দৰ্শনত বাহিৰেও আচাৰ্য্য ৰামানুজকৃত 'ৰামানুজ দৰ্শন' আনন্দতীৰ্থ সঙ্কলিত 'পূৰ্ণ প্ৰজ্ঞদৰ্শন' আৰু নীলকণ্ঠ ৰচিত 'শৈৱদৰ্শন' প্ৰভৃতি সকলোৱে বাদৰায়ণৰ 'বেদান্তদৰ্শন' বা 'ব্ৰহ্মসূত্ৰ'কে ভিন্ ভিন্ প্ৰকাৰে ব্যাখ্যা কৰি বেদান্তমতৰ বহুল প্ৰচাৰত সহায় কৰিছে মাথোন।

আগতে হিন্দুদৰ্শনৰ ক্ৰম আৰু কাল সম্বন্ধে যি কোৱা হৈছে সি যে নিভুল তাক ডাঠি কব নোৱাৰি। আধুনিক যুগৰ প্ৰত্নতত্ত্বাবিষ্কাৰৰ ফলত আজিৰ সত্য কালি মিছাত পৰিণত হব ধৰিছে। তাহানি হৰপ্পা আৰু মহেঞ্জোদাৰোৰ শিল্পকলাৰ আবিষ্কাৰে জগতক নতুন তথ্যৰ বিষয় দিব বুলি কোনে জানিছিল? সি যি নহ'ক ভাৰতীয় দৰ্শন সমূহৰ ঐতিহাসিক আলোচনাৰ পথত এতিয়াও বহুত বাধাবিঘ্নি। কিয়নো প্ৰধান প্ৰধান দৰ্শনকাৰ-সকলৰ জন্মকাল এতিয়াও সন্দেহৰ বিষয় হৈ আছে। কেতবোৰ অতি আৱশ্যকীয় দাৰ্শনিক গ্ৰন্থ কালৰ গৰ্ভত বিলীন হোৱাত ভাৰতীয় দৰ্শন ভঁড়ালৰ যি ক্ষতি হৈছে সি অপূৰণীয়। বিশেষতঃ হিন্দুদৰ্শনৰ ঐতিহাসিক চৰ্চ্চা ভাৰতীয় মনীষীসকলে হাতত নোলোৱাত তাৰ মূলতত্ত্ব পূৰ্ণভাৱে এতিয়াও বাহিৰ হোৱা নাই। পুৰণিসকলৰ ভিতৰত একমাত্ৰ মাধ্বমতি মাধবাচাৰ্য্যৰ "সৰ্ব্বদৰ্শন সংগ্ৰহ" নামেৰে কিতাপত আস্তিক আৰু নাস্তিক দুয়োবিধ ১৬খন দৰ্শনৰ নামোল্লেখ আৰু কিঞ্চিৎ পৰিমাণে

আৱাহন



বাট চাই

লক্ষ্মীবিলাস প্ৰেস লিঃ

শিল্পী—এন, এন, উজীৰ

সমালোচনা পাওঁ যায়। ইয়াত বাহিৰেৰ কিমান দৰ্শন যে একেবাৰে কালৰ গৰ্ভত বলুপ্ত হৈ গৈছে তাৰ ইয়ত্তা নাই। ঐতিহাসিক আলোচনালৈ আমাৰ লক্ষ্য থাকিলেও দৰ্শন সমূহৰ মূলবাৰ্ত্তা আৰু ঐক্যভাব দেখুওৱাই আমাৰ প্ৰবন্ধৰ প্ৰধান উদ্দেশ্য।

সমুদায় দৰ্শনৰ বিশেষত্ব আলোচনা কৰিলে দেখা যায় যে প্ৰত্যেক দৰ্শনৰ দৃষ্টি এটা বিশেষ ফাললৈ নিয়োজিত। ন্যায়ৰ মতে যি চিন্তা আৰু সিদ্ধান্ত যুক্তিতৰ্কৰ ভিত্তিত প্ৰতিষ্ঠিত নহয় সি দৰ্শন নামৰ অযোগ্য। বৈশেষিকে কয় যে দৰ্শনে যদি চিন্তাৰাজ্যত প্ৰভাৱ বিস্তাৰ কৰিব খোজে তেন্তে সি বহিৰ্জ্জগতৰ প্ৰাকৃতিক সংগঠনক বাদ দি ওপৰলৈ উধাব নোৱাৰে। আনপিনে যোগদৰ্শনে ফটফটীয়াকৈ দেখুৱাই দিছে যে কেৱল প্ৰাকৃতিক বিজ্ঞান আৰু মানৱজীৱনতে বাস্তৱিক সত্বাৰ শেষ নহয়; আধ্যাত্মিক ধৰ্ম্মানুভূতিৰ লগতো ই ওতপ্ৰোত-ভাৱে সংশ্লিষ্ট। পূৰ্ব্বমীমাংসা আৰু বেদান্তৰ দৃষ্টি ধৰ্ম্ম আৰু নীতিবিজ্ঞানৰ ফালে বেছি। প্ৰকৃতি আৰু মনৰ সম্বন্ধ নিৰূপণত বেদান্তদৰ্শন একাগ্ৰচিত্তে নিবিষ্ট। পাশ্চাত্য দৰ্শনৰ বিভাগমতে প্ৰত্যেক হিন্দুদৰ্শনেই ন্যায় আৰু মনোবিজ্ঞান, নৈতিক আৰু অধ্যাত্মবিদ্যা, ধৰ্ম্মতত্ত্ব আৰু ব্ৰহ্মবিদ্যাৰ সংমিশ্ৰণ। 'নানা মুনিৰ নানা মত' এই প্ৰবাদ থাকিলেও ঋষিসকলৰ ভিতৰত যে পৰস্পৰ বিৰুদ্ধ ভাব নাই এই কথা ধ্ৰুৱ সত্য; ঋষিসকলৰ কথাই ঠিক দৰ্শনসমূহ সম্বন্ধেও সত্য। দেখোতে পৰস্পৰ বিৰুদ্ধ ভাবাপন্ন হলেও সকলোৰে মূলত ঐক্যভাব বৰ্ত্তমান। ন্যায় আৰু বৈশেষিকৰ পৰমাণুবাদ, সাংখ্য আৰু যোগ-দৰ্শনৰ দ্বৈতবাদ আৰু বেদান্তৰ অদ্বৈতবাদৰ ভিতৰত বিশেষ পাৰ্থক্য সত্যতা আৰু অসত্যতালৈ তিমান নহয়, যিমান বেছি-সত্যতা আৰু কম-সত্যতালৈ মন্দাধি-কাৰী, মধ্যমাধিকাৰী আৰু উত্তমাধিকাৰীভেদে বিভিন্ন দৰ্শনত বিভিন্ন অধিকাৰীৰ যোগ্যতা; আৰু যোগ্যতা অনুসৰি অধিকাৰ আৰু প্ৰবেশ।

দাৰ্শনিক চিন্তাৰাজ্যত ভাৰত অতীত গৌৰৱেৰে গৌৰৱান্বিত। যুগে যুগে ভাৰতবাসীক অতীতৰ মহান আদৰ্শই অনুপ্ৰাণিত কৰি আহিছে আৰু ভৱিষ্যতেও কৰি থাকিব। বশিষ্ঠ, বিশ্বামিত্ৰ, যাজ্ঞবল্ক্য, গাৰ্গী, বুদ্ধ, মহাবীৰ, গোতম, কণাদ, কপিল, পতঞ্জলি, বাদৰায়ণ, জৈমিনি, মাধৱ, বল্লভ, শঙ্কৰ আৰু ৰামানুজ প্ৰভৃতি দাৰ্শনিক মহাপুৰুষ সকলৰ নাম কেৱল ইতিহাসৰ পিঠিতেই যে সোণালী আখৰেৰে শোভা পাই থাকিব এনে নহয়, সেইসকলৰ মহান আদৰ্শই অকল ভাৰতবাসীকে নহয়, বিশ্ববাসীক মহত্তৰ জীৱনৰ প্ৰয়াসী কৰি জগতত মহান আদৰ্শ চিৰকাল অটুট আৰু জাগ্ৰত ৰাখিব।

তেতিয়া আৰু এতিয়া

গল্প—

—শ্ৰীযুত নলিনীকান্ত বৰুৱা

(১)

আজি কেণ্টনমেণ্টত হুলস্থূল! চিপাহী বিলাক 'জাৰ্ম্মান ঢাৱা'লৈ যাব। লুক্ বাহাদুৰ থাপাই ককালত খুকুৰী আৰু সঙ্গীন্ বান্ধি, কান্ধত বন্দুকটো লৈ কেণ্টন-মেণ্টৰ বাহিৰত থকা অকণমান ঘৰটোৰ ফালে খোজ লৈছে। গছ এজোপাত বন্দুকটো আওজাই যৈ লুকে মাতিলে— গৰ্ব্বী, এ গৰ্ব্বী!" ঘৰটোৰ পৰা এজনী ১৪।১৫ বছৰীয়া নেপালী ছোৱালী ওলাই আহিল। লুক বাহাদুৰক দেখি তাই কলে "অলপ ৰবি দেই লুক্! মই এতিয়াই গৈছো।" অলপ বেলিৰ পিছত কলপাতৰ মোনা এটাত কিবা অলপ লৈ তাই লুকৰ ওচৰ পালেহি। লুকে সুধিলে "এইবোৰ আকৌ কি আনিছ, গৰ্ব্বী!" "চাউলৰ 'টী ৷'" তাই কলে, আৰু লুক বাহাদুৰৰ কপালত দৈৰে সনা চাউলৰ ফোট দি দিলে।

"আজি তই যাবিগৈ লুক ?" "এৰা গৰ্ব্বী !" লুকে কয়। "পিছে মই……?" গৰ্ব্বীয়ে সুধিলে। "তই থাক বাপেৰৰ লগতে ; মই আকৌ আহিমগৈ নহয়, ঢাৱা শেষ হলে।" "যদি ঢাৱাত তোৰ কিবা-কিবা—" তাইৰ আৰু মাত নোলাল। উচুপি উচুপি কান্দিবলৈ ধৰিলে। লুকে কলে "নেকান্দিবি গৰ্ব্বী ঢাৱালৈ গলেই আৰু মানুহ মৰেনে ? ভয় নকৰিবি তই, মই আকৌ ভালে ভালে এইখিনি পামহি। আৰু যদি মই মৰোঁৱেই তেনেহলে—তেনেহলে তই অইন কাৰোবাক বিয়া কৰাবি।" গৰ্ব্বীয়ে উচুপি উচুপি কন্দা দেখি লুকৰো চকু ঢুল্‌ঢুলীয়া হল। তাৰ মাত থোকাথুকি হল গৰ্ব্বীৰ হাত দুখনত ধৰি সি কলে—"নেকান্দিবি আকৌ গৰ্ব্বী ! তই কান্দিলে মই বৰ বেয়া পাওঁ নহয় !" এনেতে দূৰৰ বিউগিলৰ মাত তাৰ কাণত পৰিলহি। সি কলে—"যাওঁ গৰ্ব্বী ! সেয়া "বিউকুল"ৰ মাত শুন !" গৰ্ব্বীয়ে চকুৰ পানী মচি লুকৰ হাতত দুখন তামোল দি কলে—"ৰবি লুক, যাবৰ সময়ত....।" "এৰা যাবৰ সময়ত—" বুলি লুকে তাইক সাবট মাৰি ধৰি তাইৰ সেন্দুৰীয়া গালত দুটা চুমা খালে। গৰ্ব্বীয়ে কলে—"যা লুক, নেপাহৰিবি।" কান্দোনে তাইৰ মাত বন্ধ কৰিলে। লকু বাহাদুৰেও চকুৰ পানী মুছি মুছি তাৰ বন্দুকটো ললে আৰু কলে—"থাকিবি গৰ্ব্বী ! মই যাওঁ।" যাওঁতে সি গাই গল—ছিলংকী হাৱা, জৰ্ম্মাণকী ঢাৱা

অইলে বিদায় দে কাঞ্চী,

যানে পড়িয় তিমিলাই ছোড়ে ৰা।

লুক বাহাদুৰ বহুত দূৰ পালেগৈ। তেতিয়াও গৰ্ব্বীৰ কাণত বাজি আছে,

"যানে পড়িয় তিমিলাই ছোড়ে ৰা !"

(২)

গৰ্ব্বী বুঢ়া ৰণবীৰৰ জীয়েক। ৰণবীৰো শ্বিলঙতে চিপাহী আছিল। পিছে "আৰৰ ঢাৱাত' তাৰ এখন ভৰি কটা গল। এতিয়া "মেহেৰবান ছৰকাৰৰ" ৭॥০ টকা 'পেন্‌চিল্' আৰু জোতা চিলাই কৰি যি দুপইছা পায়, তাৰেই সিহঁত বাপেক-জীয়েকৰ টুক্‌টাককৈ চলে। গৰ্ব্বীৰ মাক সৰুতে মৰিল। তায়েই লাচনি-পাচনি কৰি খোৱা বাপেকক দুবেলা দুসাজ ভাত দিয়ে।

আজি তাই দুৱাৰমুখত বহি চকুলো টুকিছে। "লুক যদি উভতি নাহে !" তাই ভাবে, আৰু চমক্ খাই উঠে। পাছফালৰ পৰা বাপেকে মাতিলে "গৰ্ব্বী, গধূলি হলেই দেখোন, পানী নানগৈ নেকি ? "এই যাওঁ বাবা" বুলি তা উঠিল আৰু কলহ দুটা লৈ পানী আনিবলৈ গ'ল। এটা কলহ কলত পাতি দি তাই আনফালে চাই কিবা কিবি ভাবি আছে। এনেতে পাছফালে শুকান পাতত মৰ্ম্মৰণি উঠিল তাই উভতি চাই দেখে মোটা সিং চুবাদাৰৰ পুতেক দলপতি—তাই ঘূৰি চোৱা দেখি লৰ মৰিছে। দলপতিয়ে মেট্ৰিক পাছ কৰি এতিয়া ব্ৰিগেড অফিচত কাম কৰে। তাৰ স্বভাৱ-চৰিত্ৰ বৰ বেয়া। গোটেই শ্বিলঙে তাৰ অনাচাৰ দেখি 'ত্ৰাহি ত্ৰাহি' সুৰ্বৰিছে। দলপতিক দেখি গৰ্ব্বীয়ে ইটো কলহ নভৰোৱাকৈয়ে ঘৰলৈ উলটিল। ঘৰৰ ওচৰত তাই ঘূৰি চাই দেখে, দলপতিয়ে একেথৰে বৈ তাইৰ ফালে চাই আছে। লৰালৰিকৈ তাই ঘৰ সোমালগৈ। দলপতিয়ে এটা দীঘল হুমুনিয়াহ কাঢ়ি ঘৰমুৱা হল।

(৩)

দুমাহ পিছৰ কথা। চুবাদাৰ মোটা সিং গৰ্ব্বীহঁতৰ ঘৰলৈ আহিছে। ৰণবীৰে বহি বহিয়েই যিমান পাৰে অভ্যৰ্থনা কৰিছে। গৰ্ব্বী ঘৰত নাই, বজাৰলৈ গৈছে। ইকথা সিকথাৰ পিছত মোটা সিঙে কলে—"ৰণবীৰ ! তোমাৰ ছোৱালীজনীও ডাঙৰ হৈছে, মোৰ লৰাটোও খুটি খাব পৰা হৈছে। দুয়োটাকে সাঙুৰি দিলে কেনে হব ? মোৰ ঘৰত তাই একো দুখ নেপায়, আৰু তোমাৰো জোতা চিলাই নকৰাকৈয়ে হব। মোৰ তাতে থাকিবাগৈ।" ৰণবীৰ চঁক্ খাই উঠিল ! গৰ্ব্বীৰ বিয়া ! দলপতিৰ লগত ! ই তাৰ সপোন বা অগোচৰ ! বহুত পৰ ভাবিচিন্তি সি কলে "এৰা চুবাদাৰ চাহাব ! আপোনাৰ কথাটো ভাবিবলৈ মোক অলপ সময় লাগিব একেজনী মাউৰী ছোৱালী মোৰ !" চুবাদাৰ ৰণবীৰৰ কাণে কাণে কলে—"দলপতিৰ বোলে গৰ্ব্বীতহে মন

খাইছে। তাইক বিয়া কৰালে হেনো সি 'ভাল' হব।" তাৰ পিছে ৰণবীৰৰ হাতত দহটকাৰ নোট এখন গুজি দি চুবাদাৰ উঠিল।

ৰণবীৰে নোটখন তাৰ টুপীৰ ভিতৰত সুমাই থলে। সি ভাবিলে—"হাজাৰেই গুণ্ডা হক দলপতি, গৰ্ব্বীক বিয়া কৰাই দিলে সি নিশ্চয় ভাল হব। 'জবান' দিছে সি বাপেকৰ আগত ; নেপালীৰ বাচ্ছা দলপতি, জবান দি সি নিশ্চয় 'জান' দিও জবান ৰাখিব ! আৰু চুবাদাৰৰ বোৱাৰীয়েক হ'লে গৰ্ব্বী কিমান সুখত থাকিব ! মানুহে কিমান খাতিৰ কৰিব !"

গৰ্ব্বী বজাৰৰ পৰা উততি আহিছে, "থাপা" এটাত পাকপাচলি ভৰাই লৈ। পাছফালৰ পৰা দলপতিয়ে মাত লগালে—"গৰ্ব্বী ৰবিচোন।" "কিয় ?" তাই সোধে। "এটা কথা আছে তোৰ লগত। তই মোক এই—এই বিয়া কৰাবিনে ? মই এই খুক্‌ৰী ছুই পত খাইছো, তোক পালে মই ভাল হম।" দলপতিয়ে কয়। গৰ্ব্বীয়ে দলপতিৰ কথা শুনি একো নেমাতি থিয় দি বৈ থাকে। তাই ভাবে তাইৰ লুক বাহাদুৰৰ কথা, যাবৰ সময়ত তাৰ ঢুল্‌ঢুলীয়া চকু দুটাৰ কথা ! দলপতিয়ে কিবা ভাবি আঁতৰি যায়। গৰ্ব্বীয়ে আকৌ ঘৰৰ ফালে খোজ লয়।

(৪)

পিছদিনা ৰাতিপুৱাই দলপতিক লগত লৈ চুবাদাৰ আকৌ ৰণবীৰৰ ঘৰলৈ আহিল। বহুত পৰ ফুচফুচীয়া কথাৰ পিছত চুবাদাৰহঁত উঠিল আৰু কলে 'তেনেহলে তেইচ্ তাৰিখেই দিন ঠিক কৰা যাওক ? দুয়োটাই এতিয়া ৰাজী——।" পুতেকলৈ চাই চুবাদাৰে পাকৰ তলত মিচিকিয়া হাঁহি মাৰে। "এৰা, এই তেইচ্ তাৰিখেই।" ৰণবীৰে কলে।

সিহঁত গলত গৰ্ব্বীয়ে বাপেকক সুধিলে—'চুবাদাৰ-হেনো আমাৰ ঘৰলৈ কিয় আহিছিল, বাবা ? আৰু তেইচ্ তাৰিখেনো কি হব ?" "তেইচ্ তাৰিখে তইঁতৰ বিয়া। দলপতি লৰাটো যদিও দুষ্ট তথাপি বৰ নম্ৰ হব তো, কেনেটো বাপেকৰ পুতেক ! চুবাদাৰৰ বৰ ইচ্ছা দলপতিলৈ তোক বিয়া কৰাবলৈ। দলপতিৰ তো কথাই নাই। তোৰো যেতিয়া মত আছে…" কথা শেষ নৌহওঁতেই গৰ্ব্বী মাটিত মূৰ্চ্ছা গ'ল। বহুত পৰৰ মূৰত তাই জ্ঞান পালত লৰ মাৰি ঘৰৰ ভিতৰ সোমাল। ৰণবীৰে ভাবে—"এইবোৰ আকৌ কি ?"

তেইচ তাৰিখ পালেহি। দলপতিৰ লগত গৰ্ব্বীৰ বিয়া হৈ গল। এতিয়া সিহঁত বাপেক জীয়েক দুয়ো আগৰ ঘৰটো এৰি চুবাদাৰৰ আহল-বহল ঘৰলৈ আহিল। গৰ্ব্বী নেথাকিলে ৰণবীৰৰ কোনে অলপৈচান ধৰিব, কোনে ৰান্ধিবাঢ়ি খুৱাব ? বিয়াৰ পিছৰ পৰা দলপতিৰ স্বভাৱৰ সচাকৈয়ে পৰিবৰ্ত্তন ঘটিল। এতিয়া আৰু সি মদ খাই, উদ্ভণ্ডালি কৰি নুফুৰে। সি সচাকৈয়ে "ভাল" হল। বুঢ়া চুবাদাৰৰ বৰ ৰং। গৰ্ব্বীক কয় "তয়ে মোৰ লক্ষ্মী গৰ্ব্বী ! তই আহিয়েই মোৰ হেৰোৱা ধনক আকৌ ফিৰাই আনিলি।" গৰ্ব্বীয়ে ম্লান হাঁহি মাৰি আঁতৰ হয়।

আজি চুবাদাৰৰ ঘৰত ধুমধাম ! গৰ্ব্বীৰ লৰা উপজিছে। দুই বুঢ়াই নাতিয়েকৰ মুখ চাই আনন্দত আত্মহাৰা ! গৰ্ব্বীয়ে ভাবে "হায় লুক ! তই ক'ত, আৰু মই ক'ত ?"

(৫)

তিনি বছৰৰ পিছত। আজি ঢাৱালৈ যোৱা চিপাহী বিলাক উভতি আহিছে। মটৰ ষ্টেশ্যনত গোটেই শ্বিলং "ভাগি পৰিছে।" অইনৰ লগতে গৰ্ব্বীও গৈছে ষ্টেশ্যনলৈ। আজি যে তাইৰ লুক—সেই তাহানিৰ মৰমৰ লুক আহিব ! তাইৰ বুকু কিবা যেন অজ্ঞাত আশঙ্কাত কঁপি উঠিছে !

মটৰ পালেহি। চাৰিউফালে চিঞৰ বাখৰ, হুৰামুৰা ! কোনোৱে বহুত দিনৰ মূৰত মৰমৰ জনক দেখি হাঁহিছে, কোনোৱে বা মৰমৰ পুতেক, ভায়েক মৰা বাতৰি শুনি কান্দিছে ! বুকিং অফিচৰ পাছফালৈ গৈ গৈৰ্ব্বীয়ে অকলে অকলে কান্দি আছে। মটৰ ষ্টেচনত থাকিবলৈ আৰু সত নগল ! এইখন মুখনো তাই লুক বাহাদুৰৰ আগত কেনেকৈ উলিয়াব ?

চিপাহী বিলাক কেণ্টনমেণ্ট্ পালেগৈ। লুক বাহাদুৰে বন্দুকটো থৈয়েই লৰ ধৰিলে গৰ্ব্বীহঁতৰ ঘৰলৈ। সি দেখিলে ঘৰ আৰু ঘৰ হৈ থকা নাই। দীঘল উলু খাগৰিয়ে মাত্ৰ ঘৰৰ মুধচটো উলিয়াই থৈছে। চাল ফালি এজোপা সৰলপুলিয়ে মূৰ তুলিছে। "তেনেহলে গৰ্ব্বীৰ কিবা হ'ল নে ক? নে বুঢ়া ৰণবীৰ মৰিল, আৰু গৰ্ব্বী—" সি আৰু ভাবিব নোৱাৰিলে। তাৰ মূৰ ঘূৰি গল। যুদ্ধৰ বৰতোপৰ গুলি, গেছৰ মাজতো সি গৰ্ব্বীৰ কথাকে ভাবি আছিল, তাইৰ মুখখনি ভাবিয়েই সি আজিও জীয়াই আছে! আৰু আজি গৰ্ব্বী?

সিফালৰ পৰা গুণগুণ কৰি গান গাই দলপতি আহিছে। দূৰৰে পৰা সি মাত লগালে—"কিহে লুক বাহাদুৰ! ভগা ঘৰটোৰ আগত বহি কি কৰিছা? 'ঢাৱাৰ হাৱাই' তোমাক বলিয়া কৰিলে নেকি?" তাৰ প্ৰশ্নৰ উত্তৰ নিদি লুকে তাক সুধিলে—"দলপতি, কব পাৰানে গৰ্ব্বীৰ...?" তাৰ মাত বেজাৰত, কান্দোনত বন্ধ হৈ গল! "গৰ্ব্বী।" দলপতিয়ে কলে, "গৰ্ব্বীহঁত আজি কালি এইটো ঘৰত নেথাকে নহয়। তিনিবছৰৰ আগেয়ে মই তাইক বিয়া কৰালো। এতিয়া বাপেকো আমাৰ তাতে থাকে। গৰ্ব্বীৰ লৰা এটাও হৈছে।" "গৰ্ব্বীয়ে বিয়া কৰালে? তাইৰ লৰা এটাও হৈছে? উস্! দলপতি, মোৰ বুকুত যেন কোনোবাই দুমুনীয়া শিল এটা হৈ থৈছে।" বুকুখন হেঁচা মাৰি ধৰি সি বহি পৰিল। "ঘৰলৈ যোৱা লুক, দুখে ভাগৰে আহিছা।" দলপতিয়ে কয়। "হাঃ হাঃ দলপতি! মোৰ আকৌ দুখ! ভাল প্ৰতিদান দিলি, গৰ্ব্বী—হায়! তেতিয়া আৰু এতিয়া!!" বুলি সি মাটিত বাগৰি পৰিল। দলপতিৰ অজ্ঞাতসাৰে এটা হুমুনিয়াহ ওলাল। ব্যৰ্থ-প্ৰেমিকৰ যাতনাই তাৰ সমবেদনা জগাই তুলিলে। গৰ্ব্বীক বিয়া নকৰোৱা হলে তাৰো আজি এই দশা হলহেঁতেন—হয় তো সি আত্মহত্যা কৰিলেহেঁতেন!

দলপতিয়ে লুক বাহাদুৰক কান্ধত তুলি লৈ তাক সিহঁতৰ ঘৰলৈ লৈ গল। ভিতৰত গৈ গৰ্ব্বীক কলে—"লুক বাহাদুৰ বাহিৰত মুছকঁছ গৈ পৰি আছে। তাক চাবি। মই ডাক্তৰ মাতি আনোগৈ।" বাহিৰলৈ গৈ গৰ্ব্বীয়ে লুক বাহাদুৰক সেই অৱস্থাত দেখা পাই আৰু থিৰেৰে থাকিব নোৱাৰিলে। তাই লাজ মান পাহৰি লুকক সাবট মাৰি ধৰি কবলৈ ধৰিলে—"লুক! মাৰ মৰমৰ লুক! এবাৰ চোৱা—তোমাৰ গৰ্ব্বী—তোমাৰ মৰমৰ গৰ্ব্বীয়ে তোমাক মাতিছে।" লুকে তো নেদেখিলে তাইৰ এই অত্যন্ত ব্যাকুলতা সি তো নুশুনিলে তাইৰ মৰ্ম্মভেদী কান্দোনৰ ৰোল! সি যে মূৰ্চ্ছিত!

কেণ্টনমেণ্টৰ ডাক্তৰক লৈ দলপতি বেগাবেগিকৈ ঘৰলৈ আহিল। ডাক্তৰবাবুৱে পৰীক্ষা কৰি চাই কয়—"খুব চিৰিয়াচ্ হেমাৰেজ ব্ৰেইনৰ আৰ্টেৰি ফাটি গৈছে। অতিৰিক্ত পৰিশ্ৰমৰ পিছত মনত বৰ আঘাত পালে এনেকুৱা হব পাৰে। ৰাতিটো বাচেনে নেবাচে ঠিক নাই।" বহুত দৰবজাতি দিয়াৰ পিছত লুক চকু মেলিছে। প্ৰলাপ বকে—"হায় হায়, তেতিয়া আৰু এতিয়া। উস্ গৰ্ব্বী!" কেতিয়াবা গায় "যানে পড়িয় তিমিলাই ছোড়ে ৰা।" আকৌ কয়—"গেছ গেছ, ভাইহঁত। ভালকৈ মুখা পিন্ধি লোৱা।" আৰু মূৰ্চ্ছা যায়। এইদৰেই ৰাতিটো গ'ল। পুৱতি নিশা তাৰ জ্ঞান আহিল। ভৰিপথানত গৰ্ব্বীক বহি থকা দেখি তাইক ওচৰলৈ মাতিলে—দল-পতিকো ওচৰলৈ আহিবলৈ ইঙ্গিত কৰিলে। সিহঁত আহিলত দুয়োটাৰে হাতত ধৰি লুকে কলে "ঈশ্বৰ তহঁতৰ মঙ্গল কৰক। মই যাবলৈ ওলালো, আৰু সময় নাই।" তাৰ পিছত হুমুনিয়াহ কাঢ়ি সি কলে "হায়, তেতিয়া আৰু এতিয়া গৰ্ব্বী! তই সুখেৰে থাক। মই আহিলো—গৰ-ৰ বী বি দা য়।" তাৰ পিছত? তাৰ পিছত লুক বাহাদুৰ থাপাৰ প্ৰাণপখী অসীমলৈ উৰা মাৰিলে। গৰ্ব্বীয়ে কান্দি কান্দি কয়—'লুক! লুক! উ উ-স্ হায় হায় লুক! তেতিয়া আৰু এতিয়া!" তাই মাটিত মূৰ্চ্ছা যায়; দলপতিয়ে সিফালে চাই চকু মোচে।

বিপ্লৱৰ পিছত ৰুছিয়া

—শ্ৰীযুত মধুসূদন দাস, বি-এ

(৪)

ছোভিয়েট গবৰ্ণমেণ্টৰ অনুসৃত মধ্য এচিয়াৰ নীতিয়ে বোলছেভিকসকলৰ মহান হৃদয়ৰ সুন্দৰ পৰিচয় দিছে। সভ্যতাভিমানী য়ুৰোপীয় জাতিসমূহে এচিয়া আৰু আফ্ৰিকা মহাদেশৰ কেবাখনো দেশ নিজৰ স্বাৰ্থৰ তাড়নাত পৰি ছল-চক্ৰান্তৰ সহায়েৰে জয় কৰি তলতীয়া কৰি ৰাখিছে, কিন্তু এতিয়া জগতৰ আগত ঘোষণা কৰিছে যে সেই দেশবোৰৰ পশুতুল্য অসভ্য আৰু অৰ্দ্ধসভ্যলোক-সকলক 'মানুহ' কৰিবলৈকেহে সিবিলাকে দয়াপৰবশ হৈ যথেষ্ট ত্যাগ স্বীকাৰ কৰিও সিহঁতৰ অভিভাৱক হোৱা স্বৰূপ পবিত্ৰ ব্ৰত অৱলম্বন কৰিব লগীয়াত পৰিছে। কিন্তু এওঁলোকৰ তথাকথিত সভ্যতাৰ বাহ্যিক আবৰণ বহি পৰে তেতিয়া, যেতিয়া বিজিত দেশবোৰৰ কোনো এখনে নিজৰ দেশ শাসন কৰিবৰ ক্ষমতা থকা বুলি স্বাধীনতাৰ দাবী কৰে। তেতিয়া হলে সেইদেশৰ ন্যায়-সঙ্গত দাবীক আঁতৰাই থবলৈ হীন ষড়যন্ত্ৰৰ সহায় লৈ স্বাৰ্থপৰতাৰ বিকট নগ্নমূৰ্ত্তি দেখুৱাবলৈকেও এওঁলোকে পাছ নোহোঁহকে। ইংৰাজ আৰু ফৰাছী জাতিৰ কথা নকওঁ, সবাতকৈ উদাৰ বুলি প্ৰখ্যাত আমেৰিকাই সিদিনা ফিলিপিনাইনবিলাকৰ জন্মগত অধিকাৰৰ দাবীক আঁতৰাই থবলৈ চেষ্টা কৰি জগতৰ পীড়িত জাতিসমূহৰ যিদৰে ঘৃণা আৰু হাঁহিয়াতৰ পাত্ৰ হৈছিল, তাক সকলোৰে মনত থাকিব পায়। এনেকুৱা স্বাৰ্থৰ মোহ অকাতৰে ত্যাগ কৰিব পাৰিছে একমাত্ৰ ছোভিয়েট ৰুছিয়াই। ৰুছিয়াই নিজ অধীনস্থ মধ্য এচিয়াৰ তুৰ্কিস্থানক স্বায়ত্ব-শাসনাধিকাৰ দিছে উপযাচি—কোনো আন্দোলনৰ পিছত নহয়। জগতৰ ইতিহাসত ত্যাগৰ এনে মহান দৃষ্টান্ত অতি বিৰল! য়ুৰোপীয় জাতিসমূহে অৱশ্যে অনেক কাল আগৰপৰাই জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে সকলোকে সমান ব্যৱহাৰ কৰিব লাগে বুলি উচ্চ কণ্ঠে ইটোৱে সিটোক উপদেশ দি আহিছে। কিন্তু এই সাম্য নীতি যেতিয়া নিজৰ অধীনত থকা কোনো দেশত গ্ৰহণ কৰিব লগীয়াত পৰে নাইবা নিজৰ দেশৰে কোনো শ্ৰেণী বিশেষৰ প্ৰতি প্ৰয়োগ কৰিব লগীয়া হয়, তেতিয়া হলে সিবিলাকে নীৰৱ থাকে। বোলছেভিকসকলৰ পূৰ্ব্ববৰ্ত্তী বিপ্লৱীসকলেও এই (At home conservative, abroad liberal)—ঘৰত ৰক্ষণ-শীল আৰু বাহিৰত উদাৰপন্থী— নীতিটোকেই গ্ৰহণ কৰিছিল। অৱশ্যে ফৰাছী বিপ্লৱৰ সময়ত ফৰাছী জাতিয়েও বিজিত ৰাজ্যবোৰত গণতন্ত্ৰৰ প্ৰতিষ্ঠা কৰিছিল; কিন্তু সেইবোৰ নামতহে মাথোঁ গণতন্ত্ৰ আছিল, কামত হলে সম্পূৰ্ণৰূপে ফৰাছী ৰাষ্ট্ৰৰ অধীন আছিল। আদৰ্শক স্বাৰ্থতকৈ উচ্চ আসন দি ত্যাগৰ এনে জলন্ত দৃষ্টান্ত ৰুছিয়াইহে পৃথিবীক প্ৰথমে দেখুৱালে।

বিগত শতাব্দীৰ শেষ ভাগত তুৰ্কিস্থান ৰুছিয়াৰ দ্বাৰা অধিকৃত হয়; আৰু তেতিয়াৰপৰাই জাৰৰ ৰাজত্ব শেষ নোহোৱালৈকে এই দেশ ৰুছিয়াৰ কামধেনু বুলি পৰিগণিত হৈছিল। যেতিয়াই দৰ্কাৰ হৈছিল তেতিয়াই জাৰ-গভৰ্ণমেণ্টে নানা উপায়েৰে ইয়াৰ বিভৱ শোষণ কৰিছিল। জাৰৰ শাসনৰ অধীনত থকা কাল ডোখৰত এই দেশৰ দুৰ্গতি অবৰ্ণনীয় আছিল আৰু দেশীয় লোকসকলে সকলো প্ৰকাৰৰ অৱমাননা সহ্য কৰিব লগীয়াত পৰিছিল। দেশৰ ডাঙৰ ডাঙৰ পদবোৰ বিদেশীয় ৰুছবিলাকক দিয়া হৈছিল আৰু সিবিলাকৰ বাসৰ নিমিত্তে অসীম দুৰ্গতিগ্ৰস্ত দেশীয় লোকসকলৰ খৰচত গগনস্পৰ্শী অট্টালিকাৰে পূৰ্ণ টাছকেণ্ট আদি ডাঙৰ ডাঙৰ চহৰ নিৰ্ম্মাণ কৰা হৈছিল। দেশবাসীৰ কুলাই পাচিয়ে নধৰা দুখকো আওকাণ কৰি তেতিয়াৰ

জাৰ-গভৰ্ণমেণ্টে দেশৰ ৰাজস্বৰপৰা অজস্ৰ টকা ব্যয় কৰি টাছকেণ্ট চহৰত ৰুছ গবৰ্ণৰৰ মাৰ্ব্বেল প্ৰাসাদ আৰু মিলিটাৰী পেৰেড গ্ৰাউণ্ড নিৰ্ম্মাণ কৰাইছিল। দেশৰ বেহা-বেপাৰো সম্পূৰ্ণৰূপে গভৰ্ণমেণ্টৰ কৰায়ত্ত আছিল। ৰুছসকলে দেশীয় লোকসকলৰ লগত একে হোটেলত খোৱা লোৱা, ৰেল-জাহাজৰ একে খোটালিতে গমনাগমন কৰিলে শাসক জাতিৰ গৌৰৱ হানি হব বুলি ভাবিছিল। অথচ দেশীয় লোকসকলৰ উপকাৰৰ অৰ্থে এই শাসক-জাতিয়ে পৰাপক্ষত কাণকে নকৰিছিল। শিক্ষাৰ অৰ্থে দেশত পাতি দিছিল মাত্ৰ কেইটিমান স্কুল—য'ত পঢ়ি দেশৰ ল'ৰাবোৰে পিতৃপুৰুষসকলৰ তেজ-বীৰ্য্য হেৰুৱাই বিদেশীসকলক শাসনকাৰ্য্যত কেৰাণীৰূপে সহায় কৰিবৰ উপযুক্ত হয় মাথোন। কন্যাবিক্ৰয় প্ৰথা, বোৰখা প্ৰথা, আদি কুসংস্কাৰক দেশৰপৰা তুলি দিবৰ নিমিত্তে কিন্তু কোনো চেষ্টাকে নকৰিছিল।



বোলচেভিকৰ ভঙা কাম

ৰুছিয়াত জাৰৰ ৰাজত্বৰ অৱসানৰ লগে লগে তুৰ্কিস্থানৰো ভাগ্য-পৰিবৰ্ত্তন ঘটিছে। বোলছেভিকসকলে ৰুছিয়াত সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ পিছত, তুৰ্কিস্থানতো বিভিন্ন জাতিৰ নিমিত্তে বেলেগ গণতন্ত্ৰৰ প্ৰতিষ্ঠা কৰিলে। টাছকেণ্ট, চমৰখণ্ড, বোখাৰা আৰু ফাৰ্গাহানা নামক প্ৰদেশ চাৰিখন লগ লগাই উজবেকিস্থান গণতন্ত্ৰ গঠিত কৰিছে আৰু কাস্পিয়ান হ্ৰদৰ পূবত থকা বিশাল মৰু প্ৰদেশখনত টাৰ্কনেমিস্থান নামৰ গণতন্ত্ৰ স্থাপিত হৈছে। United states of the soci alist Republics অৰ (U. S. S. R.) অৰ্থাৎ ছোভিয়েট ৰুছিয়াৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্ব্বাহক সভাত (Central Executive) এই গণতন্ত্ৰবোৰৰ নিৰ্ব্বাচিত প্ৰতিনিধি লোৱা হয়। এই গণতন্ত্ৰ দুখনৰ Central Executive ২০১ জন সভ্যেৰে গঠিত। সভ্যসকলৰ ১২৭ জন উজবেক (উজবেক দেশীয়সকলৰ এটা জাতিৰ নাম ; দেশত এই জাতিৰ মানুহৰ সংখ্যায়েই আটাইতকৈ বেছি), ৰুছ আৰু ইহুদী জাতিৰ সভ্য ৪৮ জন আৰু অন্যান্য দেশীয় জাতিৰ সভ্য ২৬ জন। যেতিয়া সভাৰ অধিবেশন বহে, তেতিয়া সভাঘৰটো দেশীয় ধৰণে সজোৱা হয়। সভাঘৰৰ মাজৰ বেদী এখনত এটি লেনিনৰ মূৰ্ত্তি আছে আৰু ঘৰৰ ওপৰৰ নিচানত এই কেইটি কথা লিখা আছে—We grow, we strengthen, we are building socialism and shall complete the building.

এতিয়া আৰু দেশীয়লোক আৰু ৰুছসকলৰ মাজত কোনো পাৰ্থক্য নাই। নাগৰিক জীৱনৰ স্বত্ব আৰু মৰ্য্যাদা দুয়ো জাতিৰেই সমান। দেশৰ জনসাধাৰণ সম্পূৰ্ণৰূপে শিক্ষিত হোৱাৰ পূৰ্ব্বেই ছোভিয়েট গবৰ্ণমেণ্টে সিহঁতক স্বায়ত্ব শাসনৰ অধিকাৰ প্ৰদান কৰিছে। ৰেল, জাহাজ আৰু হোটেল আদিত দেশীয় সকলে এতিয়া ৰুছবিলাকৰ সমান ব্যৱহাৰ পাবৰ অধিকাৰী। দেশীয় কৰ্ম্মচাৰী আৰু বনুৱাসকলৰ দৰ্ম্মহা ৰুছ কৰ্ম্মচাৰী আৰু বনুৱাসকলৰ দৰ্ম্মহাৰ সমান। নতুন আইন প্ৰণয়ন কৰিও ৰুছ গভৰ্ণমেণ্টে দেশৰ প্ৰভূত উপকাৰ আৰু সংস্কাৰ সাধন কৰিছে। ছোৱালী কিনি বিয়া কৰোৱা প্ৰথা আৰু তিৰোতাবিলাকে 'বোৰখা'ৰে শৰীৰ ঢাকি ৰখা প্ৰথা আইনৰ দ্বাৰা উঠাই দিছে আৰু ছোৱালীৰ বিবাহৰ বয়স ষোল বছৰ ধাৰ্য্য কৰিছে। জমিদাৰসকলৰ মাটিবোৰ বাজেয়াপ্ত কৰি জমিশূন্য খেতিয়কসকলক ভগাই দি জমিদাৰৰ অত্যাচাৰ আৰু প্ৰভুত্বৰ ওৰ পেলাইছে। এতিয়া

শিক্ষা, স্বাস্থ্য, কৃষি, ৰেলওৱে, ডাক-টেলিগ্ৰাফ, বাণিজ্য, বিচাৰ বিভাগ প্ৰভৃতি সকলো বিভাগেই দেশীয় লোকৰ দ্বাৰা পৰিচালিত হয়, ৰুছ গবৰ্ণমেণ্টৰ এই বিলাকৰ ওপৰত কোনো ক্ষমতা নাই। সৈন্য বাহিনীতো দেশীয় সেনাৰ সংখ্যা দিনক দিনে বৃদ্ধি পাব লাগিছে। আন কি সেনাদলৰ সৰ্ব্বোচ্চ পদতো (Officer of the Commanding Staff) কেইজনমান উজবেক নিযুক্ত হৈছে।

ছোভিয়েট গবৰ্ণমেণ্ট ইমানতে ক্ষান্ত থকা নাই। অনুগত অনুন্নত দেশবোৰৰ কেন্দ্ৰীয় ৰাজ্যৰ সৰ্ব্বতোভাৱে সমকক্ষ কৰি তোলাই বোলছেভিকৰ মূল নীতি আৰু এই নীতি অনুসাৰে বছৰি প্ৰভূত ধন ৰুছিয়াৰ ৰাষ্ট্ৰীয়কোষৰ পৰা তুৰ্কিস্থানৰ উন্নতিৰ অৰ্থে ভগন কৰা হয়। ৰুছ গবৰ্ণমেণ্টে চাইবেৰিয়ান ৰেলওৱে নিৰ্ম্মাণ কাৰ্য্যত ৫ কোটি ৮০ লাখ আৰু কৃষিৰ উন্নতিৰ নিমিত্তে ২ কোটি ৰুবল অকল ১৯২৮ চনতেই তুৰ্কিস্থানত ব্যয় কৰিছে। ইয়াৰ খেতিয়কসকলেও মস্কোৰ শ্ৰমিক সঙ্ঘৰপৰা নানা-প্ৰকাৰৰ সাহায্য পায় আৰু এই সঙ্ঘই ইহঁতৰ নিমিত্তে চোচিয়েল ইন্সিওৰেন্সৰো ব্যৱস্থা কৰিছে।

বিভিন্ন ধৰ্ম্মমতাৱলম্বী আৰু ভিন্ন সভ্যতাবিশিষ্ট সহায় শক্তিহীন দেশৰ প্ৰতি এনে উদাৰতা দেখুৱা একমাত্ৰ বোলছেভিকসকলৰ পক্ষেহে সম্ভৱ।

বৰ্ত্তমান যুগত যদিও কাউণ্ট টলষ্টয়, মহাত্মা গান্ধী, ৰোঁমা ৰঁলা, কেলগ আদি কৰি বিশ্বমানৱৰ হিতকামী মহাপুৰুষসকলে তেওঁলোকৰ কথা আৰু কামেৰে যুদ্ধক মানৱ সভ্যতাৰ ঘোৰ পৰিপন্থী বুলি প্ৰমাণ কৰি দেখুৱাইছে, তথাপি আজিও জগতে এই সৰল সত্যটোক সহজভাৱে গ্ৰহণ কৰিব পৰা নাই আৰু সেই হেতুকে আজিও জগতে সামৰিক শক্তিক সভ্যতাৰ এটি অপৰিহাৰ্য্য অঙ্গ বুলি লেখত ধৰে। বিশেষকৈ ৰুছিয়াৰ নিচিনা চাৰিওফালে শত্ৰুৰে বেষ্টিত দেশৰ স্বকীয় অস্তিত্ব প্ৰধানতঃ সামৰিক শক্তিৰ ওপৰতে নিৰ্ভৰ কৰে, আৰু এই কাৰণে ছোভিয়েট গবৰ্ণমেণ্টে অন্যান্য বিষয়ৰ নিচিনাকৈ সামৰিক শক্তিৰ উন্নতিৰ নিমিত্তেও প্ৰাণপণে চেষ্টা কৰে। সেই অক্লান্ত চেষ্টাৰ ফলস্বৰূপে অলপ দিনৰ ভিতৰতে ছোভিয়েট সেনা-বাহিনীয়ে শৌৰ্য্য বীৰ্য্যৰ অশেষ পৰিচয় দিবলৈ সমৰ্থ হয়। ছোভিয়েট প্ৰতিষ্ঠাৰ মাত্ৰ তিনি বছৰ পিছত, ১৯২০ চনত কমৰেড ট্ৰোট্স্কি গঠিত ৰেড আৰ্ম্মিয়ে (Red Army) বেৰণ ৰেঙ্গেলৰ হোৱাইট আৰ্ম্মিক (White Army) পৰাজিত কৰি ছোভিয়েট গবৰ্ণমেণ্টৰ স্থায়িত্ব ঘোষণা কৰে আৰু লগতে নিজৰ শক্তি আৰু নৈপুণ্য দেখুৱাই জগতক চমক লগায়। ৰুছিয়াৰ বৰ্ত্তমান সৈন্য



পেট্ৰোগ্ৰাডৰ দৃশ্য

সংখ্যা ৫ লাখ ৬২ হাজাৰ, কিন্তু ভাৰতৰ দেশীয় সেনাৰ সংখ্যা মুঠে ১ লাখ ১৯ হাজাৰ। অথচ ভাৰতৰ লোকসংখ্যা ৰুছিয়াৰ লোকসংখ্যাৰ প্ৰায় দুগুণ। ৰুছিয়াৰ সৈন্য বিভাগৰ ব্যয়ো নিচেই কম, দেশৰ ৰাজহৰ একশ ভাগৰ প্ৰায় ১২ ভাগহে সামৰিক বিভাগত ব্যয়। কিন্তু ভাৰত-বৰ্ষৰ দেশীয় আৰু ইংৰাজ সেনাৰ খৰচ বাবদ দেশৰ ৰাজহৰ প্ৰায় শতকৰা ৭০ টকা ব্যয় হয়। অকল ৰুমানিয়াৰ বাহিৰে পৃথিবীৰ আন কোনো দেশৰে সামৰিক বিভাগৰ খৰচ ৰুছিয়াতকৈ কম নহয়।

ৰুছিয়াৰ সৈনিকসকলৰ শিক্ষাৰ কাল দুবছৰ মাত্ৰ। এই দুবছৰৰ ভিতৰতে যুদ্ধৰ নিয়ম প্ৰণালী আৰু অস্ত্ৰশস্ত্ৰ ব্যৱহাৰৰ শিক্ষাৰ বাহিৰেও আৰু দুই বিষয়ে বাধ্যতামূলক শিক্ষা লাভ কৰিব লাগে। সেই দুই বিষয়ৰ এটা হৈছে লিখাপঢ়া শিকা আৰু আনটো হৈছে ৰাজনীতি বিষয়ক শিক্ষা। ছোভিয়েট গবৰ্ণমেণ্টে জনসাধাৰণৰ মাজত শিক্ষা বিস্তাৰৰ অৰ্থে যিবোৰ উপায় অৱলম্বন কৰিছে, সেইবোৰ

উপায়েবে নিবক্ষব সেনাবোবকো দুবছবব ভিতবতে সাধাবণভাবে লিখিবলৈ আক পঢ়িবলৈ সমর্থ কবি তোলে। এইদবে ১৯২৫ চনত ৩০ হাজাব আক ১৯২৬ চনত ৫৮ হাজাব নিবক্ষব সৈন্যক লিখাপঢ়া শিকোৱা হয়।

কছিয়াব প্রত্যেক ক্ষুদ্র সেনাদলতে একো একোখনকৈ Wall newspaper (বেৰত আঁবি দিয়া বাতবি কাকত) আছে আক সমগ্র সেনাবাহিনীব এনেকুবা কাকত ৫০২৮ খন আছে। প্রত্যেক বেজিমেণ্টবে বেলেগ বেলেগ বাতবি কাকত আক আলোচনী আছে আক সেইবোবব মুঠ সংখ্যা ৬৪৩ খন। সেনদলত মুঠতে ৭১৯টি ক্লাব ঘব আক



চেল চেলভেক বিপাবলিক কছিয়াব এখন প্রধান চহব। ইয়াব ওচবব আগেয়গিবিবপবা ছাই বোকা আবি ওলাই মাজে মাজে ইয়াব আলি পুহলিবিলাক পোত খেদায়, তেতিয়া এই গোঁবাব গাবী বিলাকবে সেই বিলাক দুই পোলোৱা হয়।

৭২৪৩টা পাঠকেন্দ্র (Study Circle) আছে। ১৯২৬ চনত সেনাদল পাঠাগাবত ৭৬ লাখ ৭৮ হাজাব কিতাপ আছিল আক পাঠকব সংখ্যা আছিল ৩ লাখ ৭১ হাজাব। এই বিবৰণবপবা সেনাদলত শিক্ষা বিস্তাবব আয়োজন আক তাব বিস্তৃতিব বিষয়ে ভালকৈ অনুমান কবিব পাবি। সৈন্যদলব শিক্ষাব নিমিত্তে গবর্ণমেণ্টে কবা এই অক্লান্ত পবিশ্রম বিফল হোৱা নাই; এই শিক্ষাই কছিয়াব সৈন্যক জগতব আন সকলো দেশব সৈন্যতকৈ ওখ আসন দিছে। আন আন দেশব সৈন্যব নিচিনা কছিয়াব সৈন্য কেৱল মানুহ মবা কল নহয়; এওঁলোকব হৃদয় দয়া দাক্ষিণ্য আদি মনুষ্যজনোচিত গুণবেবে বিভূষিত।

কছিয়াব সৈনিকদলব বাজনীতি শিক্ষাব উদ্দেশ্য হৈছে এই যে তেওঁলোকে যেন বিশ্বৰাজনীতিত কছিয়াব স্থান কত তাক ভালকৈ বুজি তেতিয়া সৈনিক স্বৰূপে আক শেষ জীৱনব আদর্শ স্বৰূপে নিজব কর্তব্য সম্পাদন কবিব পাবে। তেওঁলোকে সৈনিক জীৱনতে বাজনীতি বিষয়ক এনে সম্পূর্ণ শিক্ষা পায় যে, সেনাদলপবা অন্তৰব লোৱাব পিছত, নাগবিক স্বৰূপে দেশব বাজনীতিক্ষেত্রত তেওঁলোকে বিশিষ্ট স্থান অধিকাব কবিবলৈ সমর্থ হয়। কছিয়াব চহব বিষ্যকব য়ুনিয়ন বোর্ডব সভাপতি সকলব শতকবা ৫৪ জনেই অন্তৰব পোৱা সৈনিক। গাওঁব য়ুনিয়ন বোর্ডবোবব সভাপতি সকলব শতকবা ৬৮ জনেই তেওঁলোকব ভিতৰ বপবা নির্ব্বাচিত হয়।

ছোভিয়েট গবর্ণমেণ্টে যুদ্ধোপকবণ বৃদ্ধি কবিবলৈকেও যথেষ্ট চেষ্টা কবিছে। বর্ত্তমানকালত 'এবোপ্লেন' যুদ্ধব অতি আৱশ্যকীয় সঁজুলি। ছোভিয়েট শাসন প্রতিষ্ঠাব সময়ত দেশত 'এবোপ্লেন' (আকাশী বথ) নাছিল বুলিয়েই কব পাবি। ছোভিয়েট গবর্ণমেণ্টে ইটালী, অষ্ট্রিয়া আদি দেশবপবা যন্ত্রপাতি আনি দেশতে 'এবোপ্লেন' তৈয়াব কবায় আক এতিয়া ছোভিয়েট গবর্ণমেণ্ট ২২৭খন 'এবোপ্লেন'ব মালিক। ইয়াব উপবিও The Society of the Friends of Air Fleet নামব বে-চবকাবী সঙ্ঘ এটাই 'এবোপ্লেন' সাজিবব নিমিত্তে প্রায় ১২ কোটি টকা ছোভিয়েট গবর্ণমেণ্টব হাতত দিয়ে। এই সঙ্ঘ এইবোব 'এবোপ্লেন'ব মালিক আক ইবোবক যুদ্ধ বাণিজ্য দুয়োটা কামতে ব্যবহাব কবা হয়।

নাবী-জাগবণ কুবি শতিকাব এটি লেখত লব লগীয়া ঘটনা। এই শতাব্দীব প্রাবম্ভতে এলেন কেইকে আদি কবি কেই গবাকীমান মহিলাই তিবোতাজাতিব নিমিত্তে অত্যাৱশ্যকীয় অধিকাবব দাবী কবি যি আন্দোলনব সূত্রপাত কবে, সিয়েই সমগ্র পৈ সামাজিক আক বাজনৈতিক ক্ষেত্রত পুকুষব সমান অপ্রতিহত ক্ষমতা লাভ কবিবব অর্থে পাশ্চাত্যজগতব নাবীসমাজে পুকুষ

সকলব বিৰুদ্ধে ঘোষণা কবা প্রচণ্ড বিদ্রোহত পবিণত হ'ল গৈ! পাশ্চাত্য জগতবপবা ইয়াব ঢৌ আহি এতিয়া প্রাচ্যকো ঢুকি পাইছেহি। নাবীসমাজব আশা আকাঙ্ক্ষাব সীমা নির্দ্ধাবণ কবি দিয়া কোনো পুকুষব পক্ষে সম্ভৱপব নহয়। কিন্তু তথাপিও সকলো দেশব পুকুষ সমাজেই এই আন্দোলনব গতিবোধ কবিবলৈ যথাসাধ্য চেষ্টা কবিছে। কিন্তু কছিয়াত হৈছে ইয়াব ব্যতিক্রম ঘটিছে।

কোৱা বাহুল্য মাথোন যে জাবব অধীনত থকা কাণত কছ তিবোতাসকলব সমাজত আক বাষ্ট্রব ওচবত কোনো সম্মানজনক ঠাই নাছিল। তিবোতাবিলাক অভিভাৱক সকলব সম্পত্তিবিশেষ বুলি বিবেচিত হৈছিল। সিবিলাকে নিজব কঠোব পবিশ্রমব ফলো ভোগ কবিব নাপাইছিল; সি অভিভাৱকসকলব হাতলৈহে গৈছিল আক পুকুষে নাবীক মাত্র বিলাসব উপকবণ বুলিহে ভাবিছিল। কিন্তু ছোভিয়েট গবর্ণমেণ্টে দেশব শাসনভাব গ্রহণ কবিয়েই সকলো ক্ষেত্রতে আক সকলো অন্তস্থাতে নাবীজাতিব অধিকাব আক স্বত্ব পুকুষব সমান বুলি ঘোষণা কবি দিলে। তেতিয়াবপবাই কছ তিবোতাসকলে পুকুষব সকলো কাম আক স্বত্বেবেই সমান অংশভাগী হৈছে। এতিয়া বাজ্যব উচ্চতম বিভাগবপবা নিম্নতম বিভাগলৈকে সকলো বিভাগতেই তিবোতাবিলাকে শাবীবিক আক মানসিক ছবাবিধ কাম কবিব লাগিছে আক সিবিলাকব দর্শ্বহাও পুকুষ কর্ম্মচাবীসকলব দর্শ্বহাব সমান। আন কি তিবোতাই সেনাবিভাগতো প্রবেশাধিকাব পাইছে আক সৈন্যদলত ৰীবাঙ্গনী গঠিত হৈছে। তদুপবি দুর্ব্বল জাতি বুলি তিবোতাসমাজক বিবাহ বিচ্ছেদ, সন্তানব ভবণ-পোষণ আদি বিষয়ত পুকুষতকৈ অধিক সুবিধা দিছে। স্ত্রীজাতিক এনেকুবা অপ্রতিহত স্বাধীনতা দিলে সামাজিক জীৱনত বহুত প্রবেশ কবে আক পাবিবাবিক জীৱন নষ্ট হয় বুলি ভবিষ্যতাশীল মনীষীয়ে মত প্রকাশ কবিছে আক নৈতিক আক পাবিবাবিক জীৱনব প্রতি লক্ষ্য কবিলে এই উক্তিব সত্যতা ভালকৈ উপলব্ধি কবিব পাবি। ভাবতীয় চিন্তাধাবাযো নাবী সমাজব ইমান স্বাধীনতা সমর্থন নকবে। কিন্তু যোৎস্নাভেদিক সকল আনব কথাত কাণ দিয়া মানুহ নহয়; মানবসমাজব পুবণি বীতি-নীতিব বিৰুদ্ধে বিদ্রোহ কবাই ইহঁতব ধর্ম্ম।

বোলছেভিকসকল নিৰীশ্বববাদী বুলি প্রখ্যাত। যুক্তিতর্কব দ্বাবাই এওঁলোকে প্রমাণ কবিবলৈ চেষ্টা কবিছে যে ঈশ্বব নামব কোনো সর্ব্বশক্তি সম্পন্ন অশবীবী প্রাণী নাই; আক যদিও বা তেনে অশবীবী কোনো আছে তেন্তে তেওঁ সর্ব্বশক্তিসম্পন্ন বুলি এতিয়াইকে কোনো



জোছেফ ষ্টেলিন

প্রমাণ দিব পবা নাই আক তেওঁ মানবসমাজব কোনো উপকাবো নকবে। পাপীব সুখসম্পদ আক নিষ্পাপীব দুখ-কষ্টৰ বোজা পৃথিবীব চিবন্তন বীতি। ঈশ্ববক দিনে বাতিয়ে খাট খাকিলেও পাপীব পতন নঘটে। অতএব তেনেকুবা কাল্পনিক প্রাণী এটিক পূজা কবা প্রয়োজন কি? পৃথিবীবপবা ঈশ্বব নাম লোপ কবিবব অর্থে বোলছেভিকসকলে মস্কো নগবত এটি নিৰীশ্বববাদী সঙ্ঘও স্থাপন কবিছে। কিন্তু যদি ঈশ্ববব অস্তিত্ব নামানিও সজপথত থাকি বিশ্বমানবব হিতসাধন কবিলে ঈশ্ববক পাব পাবি তেন্তে বহুত বোলছেভিকে তেওঁব কৃপা পাব বুলি আশা কবিব পবা যায়।

বোলছেভিকসকলে শাসনভাব গ্রহণ কবিয়েই গির্জ্জাবোববপবা পুবোহিতবিলাকক খেদি দি উপাসনা আদি যাৱতীয় ধর্ম্মানুষ্ঠান বন্ধ কবি দিলে আক গির্জ্জাঘব-

বোৱ আন কামত ব্যৱহাৰ কৰিলে। এইৰূপে এতিয়া মস্কোৰ 'ছেইকোনভ্‌পাছ্‌কি' আৰু কিডৰ 'পেটছাৰস্কায়া লাৱৰা' আদি বিখ্যাত দৰ্শনীয় গিৰ্জাবোৰৰ কোনোটো স্থূলযৱত, কোনোটো ক্লাৱঘৰত আৰু কোনোটো পাঠাগাৰত ৰূপান্তৰিত হৈছে। আগেয়ে যি গিৰ্জাত আমোদ প্ৰমোদৰ কোনো ঠাই নাছিল এতিয়া তাৰ চোতাল টেনিচ খেলৰ আৰু গানবাজনাৰ প্ৰধান আড্ডা হৈছে। গিৰ্জাৰ সকলো ধন সম্পত্তিকে ছোভিয়েট গৱৰ্ণমেণ্টে বাজেয়াপ্ত কৰিছে, দেৱতাৰ মন্দিৰত্বই এতিয়া ৰাষ্ট্ৰীয় ধন-ভঁৰাল পোহৰ কৰিব লাগিছে। আৰু দেৱতাৰ অম্বৰত স্বৰূপ পুৰোহিতসকলে ভিক্ষুকৰো অধম হৈ বাটে-পথে ঘুৰি ফুৰিব লাগিছে। এইবোৰৰ নিমিত্তে ছোভিয়েট গৱৰ্ণমেণ্টে আৰু ৰোলছেভিকসকলে জগতৰ প্ৰায় সকলো জাতিৰেই ঘৃণাৰ পাত্ৰ আৰু তেওঁলোকৰ বাজনৈতিক আদৰ্শক সমৰ্থন কৰা বহু শক্তিশালী পুৰুষৰ সহযোগৰ পৰাও বঞ্চিত হৈছে। কিন্তু তথাপি এওঁলোকে বাহিৰৰ কাৰো কথাত কাণ নকৰি, অতি অটলভাবে নিজৰ কাম কৰি গৈছে। পুৰোহিতসকলৰ এই ভাগ্যবিপৰ্য্যয়ৰ কাৰণে বহু পৰিমাণে তেওঁলোক নিজে দোষী। জাৰৰ ৰাজত্বৰ সময়ত ৰাজকৰ্ম্মচাৰীসকলৰ লগ লাগি তেওঁলোকে নিৰঙ্কুশ, হোজা জনসাধাৰণক নানাভাৱে উৎপীড়িত কৰিছিল আৰু শিক্ষাৰ ঠাইত কুসংস্কাৰ প্ৰচাৰ কৰি তেওঁলোকক অজ্ঞানতাৰ অন্ধকাৰত ৰাখি নিজৰ প্ৰভুত্ব বজায় ৰাখিছিল। জাৰৰ ৰাজত্ব অন্ত হ'লত, তেওঁলোকে নতুন শাসকসকলৰ ওচৰত অৱনত নহৈ, বৰং অনেক বিষয়ত শাসকসম্প্ৰদায়ে ধৰ্ম্মানুশাসন অৰ্থাৎ পুৰোহিতৰ আদেশ মানিব লাগিব বুলি দাবী কৰিলে আৰু জনসাধাৰণৰ শিক্ষাৰ ভাৰো তেওঁলোকৰ হাতত ৰাখিবলৈ বিচাৰিলে। এই মূর্খামিৰ ফলস্বৰূপে কিন্তু নিজেহে স্থান ত্যাগ কৰিব লগাত পৰিল।

আইনৰ দ্বাৰা ঈশ্বৰৰ অস্তিত্বৰ লোপ কৰিব নোৱাৰি; তেওঁৰ আসন মানুহৰ হৃদয়তহে। তকণ সমাজতন্ত্ৰবাদী সকলক এবি দেশৰ অৱশিষ্ট লোকৰ শতকৰা ৭০ জনেই ঈশ্বৰত বিশ্বাসপৰায়ণ। উপাসনা আদিৰ সুযোগ নাপাই তেওঁলোক বৰ দুখিত হ'ল। এই সময়তে জনসাধাৰণৰ ধৰ্ম্মৰ প্ৰতি অনুৰাগ থকা দেখি, সিহঁতক ধৰ্ম্মালোচনাত সহায় কৰিবলৈ প্লেটনৰ নেতৃত্বত উদাৰপন্থী পুৰোহিতসকলে এটি দল গঠন কৰিলে। এই দলটোৱে প্ৰচলিত ধৰ্ম্মৰ পৰা কুসংস্কাৰ আদি বাদ দি সংস্কৃত মত দেশত প্ৰচাৰ কৰিবলৈ মনস্থ কৰিলে। এওঁলোকে নতুন শাসক সম্প্ৰদায়ক সকলো বিষয়তে দেশৰ হৰ্ত্তাকৰ্ত্তা বুলি মানি ললে আৰু ৰাজনৈতিক আৰু জনশিক্ষা বিষয়ক কোনো কামতে হাত নিদিওঁ বুলি প্ৰতিশ্ৰুতি দিয়াত, ছোভিয়েট গৱৰ্ণমেণ্টে এওঁলোকক কোনো ধৰ্ম্মানুষ্ঠান সহায় নোলোৱাকৈ কেৱল উপদেশৰ দ্বাৰা ধৰ্ম্মৰ প্ৰতি অনুৰাগসম্পন্ন লোকসকলৰ মাজত ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ অনুমতি দিলে। কিন্তু এওঁলোকে তেনে কামত গৱৰ্ণমেণ্টৰ পৰা কোনোৰূপ সহায় নাপায়। অনুষ্ঠান বিনা যদি ধৰ্ম্মৰ অনুষ্ঠান সম্ভৱপৰ হয়, তেনেহলে কছিয়াতো ধৰ্ম্মমতৰ ঠাই আছে।



খাম্বা থোইবীৰ সাধুকথা

শ্ৰীযুত ৰজনীকান্ত ৰবদলৈ, বি এ

(আগৰ সংখ্যাৰ পাছৰপৰা)

যি খাম্বাই আগেয়ে নিজকে চুবীয়া ভাবি মন মাৰি ফুৰিছিল, সেই খাম্বাই সেই দিন থোইবী আইদেউৰ উদগনি আৰু সজ বুদ্ধি পাই সকলো কামতে আগবঢ়ুৱা হৈ পৰিল। নাৰী মাত্ৰেই দেৱী শক্তিৰ প্ৰতিমূৰ্ত্তি। এই মহা মহীয়সী নাৰী মূৰ্ত্তিৰ পৰশ পাই খাম্বাৰ ভিতৰত শুই থকা পুৰুষটি যেন জাগ্ৰত হৈছে উঠিল। দল্ল নাৰী দেৱী প্ৰকৃতি! তুমি মাতৃৰূপে আমাক জনম দি নানা দুখ কষ্ট সহিও আমাক প্ৰতিপালন কৰি ডাঙৰ দীঘল কৰিছা। ভগ্নীৰূপে আমাৰপৰা নিষ্কাম অকপট শ্ৰদ্ধা স্নেহ লৈছা, অনেক সময়ত সহায়ো কৰিছা। কন্যাৰূপে দেৱী! তুমি আমাক কোমলতা, মৰম, নিঃস্বাৰ্থ প্ৰেম শিকাইছা। পত্নীৰূপে এই সংসাৰত আমাৰ লগৰীয়া হৈ আমাক সকলো কামতে সহায় কৰি, আমাক নিঃস্বাৰ্থভাবে ভাল পাই জীৱন মধুময় কৰি ৰাখিছা। জেঠাই, মাহী, পেহী, বউ, বোৱাৰী ইত্যাদি নানা ৰূপেৰেও আমাৰ পুৰুষৰ শ্ৰদ্ধা ভক্তি গ্ৰহণ কৰি আমাক সজ গুণবিলাক শিকাইছা। তোমাৰ শক্তি, তোমাৰ মহিমা অসীম। পুৰুষ প্ৰায় সদায় সুপ্ত। তোমাৰ সান্নিধ্য পালে, পৰশ পালে প্ৰত্যেক মানুহৰ মনৰ ভিতৰতে থকা পুৰুষটি জাগি উঠি সক্ৰিয় চেতনাযুক্ত, উৎসাহী, পৰিশ্ৰমী ইত্যাদি নানা গুণেৰে বিভূষিত হয়। আমাৰ খাম্বাৰ জীৱনতো থোইবীৰ পৰশত এইবিলাক দেখা দিলে।

এদিন এগল মনিপুৰী বৰী ডেকাই ৰাজ আলিৰ কামত এজন ভাল, বয়সস্থ ওজাদেৰৰ পৰা কুস্তি খেল শিকিছিল। খাম্বায়ো সেই ঠাইলৈ গৈ কুস্তি শিকিছিল। এদিন মনিপুৰৰ এজন ডাঙৰ বিষয়া সেই বাটেদি যাওঁতে ডেকাবিলাকৰ কুস্তি খেল দেখি খমকি ৰ'ল। আৰু পোনেই খাম্বাৰ ওপৰত চকু পৰাত খাম্বাৰ গাৰ গড় দেখি আন এজন সমান বলী ডেকাৰ লগত কুস্তি খেলি দেখুৱাবলৈ আদেশ কৰিলত খাম্বাই যদিও মাৰ, পেছ ইত্যাদি ভালকৈ শিকা নাছিল, তথাপি গাৰ বলেৰেই সেই ডেকাজনক হকৰালে। তাৰ পিছত সেই বিষয়াজনৰ আদেশত আন আন সকলো বলী ডেকাৰ লগত খাম্বাই কুস্তি মাৰিলে। কেৱে খাম্বাক বলে নোৱাৰা দেখি বিষয়াজনে কুস্তিৰ ওজা জনক সুধিলে, এই ডেকাজনৰ নাম কি, ক'ত থাকে, কাৰ পুত্ৰ. ...

সেই বিষয়াজন আছিল সেই প্ৰদেশৰ ৰাজমন্ত্ৰী। ওজাজনে চিনি পাই হাতযোৰ কৰি জনালে—দেউতা ঈশ্বৰ, এই ডেকাজনৰ নাম খাম্বা। মই এই মাত্ৰ জানো। ই বৰ বলী। তেতিয়া মন্ত্ৰীয়ে খাম্বাক পাৰিষদ এজনৰ হতুৱাই নিজৰ কাষলৈ মতাই আনি সুধিলে—হেৱ ডেকাটো! তই কাৰ পুতেক? ক'ত থাক? তোৰ কোন কোন আছে? খাম্বাই উত্তৰ কৰিলে—ডাঙৰীয়া! মই থাকো এই মইবাভতে। মোৰ পিতৃদেৱৰ নাম মই একপ্ৰকাৰ নাজানোঁহেই। খাম্বাৰ এই কথাত মন্ত্ৰীজনে আচৰিত হৈ কলে—ই বৰ আশ্চৰ্য্যৰ বিষয় যে তই আপোনাৰ পিতৃৰ নাম নাজান! মন্ত্ৰীৰ এই কথাত খাম্বাই কলে—দেউতা! মই নিচেই কেচুৱা থাকোঁতেই মোৰ পিতৃ মৃত্যু হৈছিল। মই পিতৃ-মাতৃ কেনেকুৱা বস্তু দেখা মনত নপৰে। মোক ওচৰ চুবুৰীয়াই কৈছে, মই হেনো আগৰ ঘুমন প্ৰদেশৰ ৰাজকুমাৰ হাওৱাম ইয়েমাৰ পৰিনাতি আৰু পুৰেণবাৰ পুতেক। মোৰ এই সংসাৰত ঘুমছু নামেৰে ভনী এজনীত বাজে আন কেও নাই। এই কথাতে মন্ত্ৰীয়ে খাম্বাক ভবিৰেপৰা মুৰলৈকে চাই

কলে—তই মোৰ বন্ধু পুৰেণবাৰ পুতেক হব পাৰ। হাতীয়ে নিজ ভাতৃকে চিনি নাপায়। ৰজা ৰাজোৱানসকলে কোনো কোনো সময়ত আৰু অৱস্থাত নিজ পুত্ৰকো চিনি নাপায়। তোৰ বাপেৰ অকালতে ধুকাল। বাৰু, মই এতিয়া আহোঁ। পিছত মই তোৰ কথা বাৰু মনত ৰাখিম—এই বুলি কৈ তেওঁ নিৰ্দ্দিষ্ট ঠাইলৈ গৈ তাত যি কাম আছিল তাক সমাধা কৰি ঘৰলৈ উলটিল। ঘৰত গৈ ঘৈনীয়েকক খাম্বা আৰু খুমনুৰ কথা কৈ কলে—প্ৰিয়ে! তুমি কিছুমান ভাল ভাল কানি-কাপোৰ আৰু ফল মূল, খোৱা বস্তু লৈ সিহঁতৰ ঘৰলৈ যোৱা আৰু খুমনুক আমাৰ ল'ৰালৈ খুজি বাঢ়ি থৈ আহাগৈ। পুৰেণবা মোৰ পৰম বন্ধু আছিল আৰু তেওঁ জীয়াই থাকোঁতে তেওঁক মই প্ৰতিশ্ৰুতি দিছিলোঁ যে মই তেওঁৰে সৈতে বিয়ৈ সম্পৰ্ক পাতিম।

খাম্বাই ঘৰলৈ উলটি গৈ ভনীয়েক খুমনুক এই সকলো বিলাক কথা কোৱাত খুমনুৱে কলে, দাদা! তোমাৰ উন্নতি আগন্তুক। থোইবী নাই মাই দিয়া উপদেশ মতে তুমি কাম কৰাত এই ৰাজ্যৰ প্ৰধান মন্ত্ৰীৰ চকুত পৰিলা। থোইবীয়ে তোমাক যি উপদেশ দিছিল সেই মতে চলাৰ লগে লগে ময়ো তোমাৰ ভনীয়েৰে দু আষাৰ কওঁ। দাদা! মানুহৰ শত্ৰু মানুহেই পদে পদে হয়। সেই দেখি যদি কেৱে তোমাৰ বাটত এডাল খৰি বা কাঠ বা লাঠি পাতি থয়, সেই ডাল দেৱাই নাযাবা। ঘূৰি যাবা। দেৱাই গলে তোমাৰ অনিষ্ট হব পাৰে। জুম খাই বা থুপ খাই থকা মানুহৰ মাজেদি ঠেলা হেঁচা কৰি নাযাবা—কিয়নো মানুহে তোমাক সেই ছেগতে হিংসা কৰিব পাৰে।

ইফালে মন্ত্ৰীয়ে দিয়া আদেশ মতে পিছদিনা তেওঁৰ পৰিবাৰে লগত দাস দাসী আদি লৈ খাম্বাইঁতৰ ঘৰলৈ গ'ল। তেওঁবিলাক আহি পোৱাত খাম্বা ওলাই আহি তেওঁবিলাকক সোধ-পোচ কৰি সুধিলে, কি সকামে নো দুখীয়াৰ ঘৰলৈ অহা হৈছিল। মন্ত্ৰীয়নীৰ দাসী এজনে কলে,—তোমাৰ ভনীয়েৰাক আমাৰ মন্ত্ৰীৰ পুতেকলৈ খোজা-বঢ়া কৰিবলৈ অহা হৈছে। দাসী জনীৰ এই কথাত খুমনুৱে লাজতে ঘৰৰ ভিতৰলৈ সোমাল। মন্ত্ৰীয়নীয়ে কলে,—তোমাৰ ভনীয়েৰক আমাৰ কাষলৈ আহিবলৈ কোৱাগৈ। খাম্বাই ভিতৰ সোমাই গৈ ভনীয়েকক একপ্ৰকাৰ টানি আনি মন্ত্ৰীয়নীৰ কাষত বহুৱাই দিয়াত খুমনুৱে মন্ত্ৰীয়নীক টপ কৰি সেৱা এটা কৰিলে—মন্ত্ৰীয়নীয়ে মূৰত ধৰি আশীৰ্ব্বাদ দি কলে,—খুমনু গৈছাব! তোক মই মোৰ পোলৈ বিয়া কৰাম—তোৰ যদি অসম্মতি নাই তেন্তে হোঁ, এই কাপোৰ কেইখন হাত পাতি ল। এই ফলমূলবিলাক গ্ৰহণ কৰ। মন্ত্ৰীয়ণীৰ কথাত খুমনুৱে কাপোৰে অলঙ্কাৰ আগ্ৰহেৰে ভক্তিপূৰ্ণ হৃদয়েৰে হাত পাতি লৈ মন্ত্ৰীয়নীক আকৌ সেৱা কৰিলে। তেতিয়া মন্ত্ৰীয়নীয়ে খুমনুক চুমা খাই, আশীৰ্ব্বাদ দি বিয়াৰ দিন এটা স্থিৰ কৰি আনন্দ মনেৰে ঘৰলৈ উলটিল। মন্ত্ৰীয়নীয়ে খুমনুৰ গোৰা-গোস্তি জনা। উপৰিও দেখিছিল যে খুমনু সুন্দৰী, ৰূপ লাবণ্যৱতী দুখীয়া, অৱস্থাত থাকিও ভদ্ৰতা, নম্ৰতা, সকলোবিলাক ডাঙৰ মানুহৰ জীয়াৰীৰ গাত থাকিব লগা গুণেৰে বিভূষিতা।

ক্ৰমশঃ



অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ

—শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

অভ্যৰ্থনা সমিতিৰ সভাপতি মহাশয়, প্ৰতিনিধিবৰ্গ, উপস্থিত ভদ্ৰমহিলা আৰু সমজুৱাসকল!

পৰমেশ্বৰত শৰণ লৈ, আগৰ সভাপতিসকলৰ উদ্দেশ্যে শ্ৰদ্ধাঞ্জলি বাচি আপোনালোকক নমস্কাৰ কৰিছোঁ। মোৰ জীৱনৰ আজি এটা চিৰস্মৰণীয় দিন।

শলাগৰ শৰাই

অতীত শৌৰ্য্য-বীৰ্য্যৰ লীলাভূমি, আহোম ৰজাসকলৰ প্ৰাচীন কীৰ্ত্তি-কলাপপূৰ্ণ ৰাজধানী এই শিৱসাগৰলৈ এয়ে মোৰ প্ৰথম আগমন—ৰজাতকৈ পূজ্য আৰু সন্মানিত যি বিদ্বৎ সমাজ, তেওঁলোকৰ বছৰেকীয়া সন্মিলনৰূপ মহাযজ্ঞত হোতাৰূপে যোগ দিবৰ বাবে। অপ্ৰত্যাশিতভাৱে আপোনালোকৰ সাদৰ আহ্বান পাই মই আজি কিমান সন্মানিত আৰু আনন্দিত তাক কৈ বিছাতে সময় নিয়াব নোখোজোঁ। কেৱল সেইবাবে আপোনালোকলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।



এনে এটা গুৰুভাৰলৈ নিমন্ত্ৰণ গ্ৰহণ কৰা উচিত নে অনুচিত সেই লৈ মই দোধোৰমোৰত পৰিছিলোঁ। যি শ্ৰেষ্ঠ আসনত বাণীৰ বৰপুত্ৰসকলে বহি অকল সভাকে নহয়, লগে লগে গোটেই দেশকো উজ্জ্বল কৰি থৈ গৈছে, সেই পৱিত্ৰ আসনত বহিবলৈ ওলালে বত্ৰিশ পুতলিৰ দৰে আসনৰ প্ৰতি অণুপৰমাণুৱে বিদ্ৰূপ নকৰিব নে? অৱশ্যে এই আহ্বান নিমন্ত্ৰণ নহয়। কাৰণ মই আপোনালোকৰে এজন। আৰু সাহিত্য সভাৰ সভাপতিৰ কৰ্ত্তব্যও সাহিত্য সৃষ্টি নহয়; সাহিত্যৰ আলোচনা আৰু পথ নিৰ্দ্দেশ কৰা মাথোন। সেই নিমিত্তে মই ওলাইছোঁ। মাটিৰ ঘট নাইবা শিল এডোখৰতে ভগৱান আৰোপ কৰি সাধকে যেনেকৈ সিদ্ধিলাভ কৰিব পাৰে তেনেকৈ মোক বহুৱাই থৈ আপোনালোকেও নিজ নিজ কাম সমাধা কৰি লব পাৰিব। সেই নিমিত্তে পুণ্যদৰ্শন দেশৰ উজ্জ্বল ৰত্নশ্ৰেষ্ঠ সাহিত্যিকসকলক একে ঠাইত চাই পুণ্য অৰ্জ্জনৰ সুযোগ হেৰুৱাবলৈ মই টান পাইছোঁ। আৰু সেই নিমিত্তেই আহি কৰপুটে হাজিৰ হবলৈ বাধ্য হৈছোঁ। মোৰ কিবা দোষ নাইবা ধৃষ্টতা প্ৰকাশ পালে কেৱল এই খিনিয়ে—বাবৰ অযোগ্যতাৰ বাবে নহয়। গতিকে মোৰ প্ৰাৰ্থনা, অক্ষমতাৰ দায়-দোষ সকলোকে মাৰ্জ্জনা কৰে যেন।

আজি সৰস্বতী আইৰ শ্ৰেষ্ঠ পূজাৰীসকলৰ লগত মই যি অকিঞ্চিৎকৰ উপকৰণ লৈ মাতৃ বন্দনাৰ নিমিত্তে আগ বাঢ়িছোঁ সি তুচ্ছাদপিতুচ্ছ। সি কেৰ্কেটুৱাৰ ভেটি 'বাঁহপাতো' নহয়, বনৰীয়া বনৰ এপাত মাথোন আৰু তাৰো কোনো ৰহ-কহ নাই—শুকান। তাৰ কোনো বৰণ বা গোন্ধো নাই; কেৱল ভক্তিপানীৰে তিওৱা। সি বিদ্যাদেৱীৰ চৰণবন্দনাৰ উপযুক্ত হব বুলি আশা কৰিব নোৱাৰি। যি কি নহ'ক, যোগ দিয়া হৈছে যেতিয়া, সেই উদ্দেশ্যে আগ বঢ়োৱা হ'ল। বাঞ্ছিত ঠাই গৈ পোৱা নোপোৱা ভগৱানৰ ইচ্ছা।

মানুহ যে জীৱন্ত তাক বুজিব পাৰি তাৰ অঙ্গ সঞ্চালন বা শৰীৰৰ স্পন্দনলৈ চাই। এই কথা এটা জাতি বা

সমাজ সম্বন্ধেও খাটে। এই জাতি বা সমাজৰ স্পন্দন বুজিব পাৰি তাৰ নানা কাৰ্য্যকলাপৰ ভিতৰেদি।

'মনুষ্য' শব্দটোৰ মনু কথাৰ পৰা উৎপত্তি। অৰ্থাৎ ই ব্ৰহ্মাৰ মানসপুত্ৰ। তাৰ চিন্তা অৰ্থাৎ ভাবৰ ধাৰা প্ৰকাশৰ নিহিত্তে ভাষা আছে। এই ভাষা থকাৰ নিমিত্তেই মানুহ আজি সকলো প্ৰাণীতকৈ শ্ৰেষ্ঠ। মানুহৰ এটা নাম ব্যক্তি, অৰ্থাৎ প্ৰকৃতিৰ পূৰ্ণ বিকাশ। গতিকে যি জাতি বা সমাজৰ ভাষা উন্নত সেই জাতি বা সমাজেই যে আন সকলোতকৈ শ্ৰেষ্ঠ তাক অনায়াসে কব পাৰি। এই ভাবৰ বাহন ভাষাৰপৰা সাহিত্যৰ সৃষ্টি। এতেকে মানৱ সমাজৰ স্পন্দন অৰ্থাৎ সকলো কাৰ্য্যকলাপ বা উন্নতি অৱনতি বুজিব পৰা যায় সেই জাতিৰ ভাষা অৰ্থাৎ সাহিত্যৰ মাজেদি।

ভাবৰপৰা ভাষা। আৰু যি জাতি বা সমাজৰ ভাষা শ্ৰেষ্ঠ সি আন জাতি বা সমাজতকৈ উন্নত।

পুৰণি কামৰূপৰ তথা অসমৰ উন্নতি আৰু প্ৰাচীন সভ্যতাৰ কথা আজি আৰু নকৈ কবৰ আৱশ্যক নাই। সদিয়াৰপৰা জলপাইগুৰি, দিনাজপুৰ প্ৰভৃতি ঠাইলৈকে পুৰণি মন্দিৰ, দালান আদিৰ ভগ্নাৱশেষ বহুত দেখিবলৈ পোৱা যায়। ইয়াৰ বাহিৰেও অসমৰ হাবিয়ে-জঙ্গলে, পাহাৰে-পৰ্ব্বতে নানা শিলৰ মূৰ্ত্তি, মন্দিৰ, পুখুৰী, গড় আদিৰ চিন কিমান যে চকুত পৰে তাক আমাৰ দেশৰ মানুহৰ আগত উল্লেখ কৰা ধৃষ্টতা মাথোন। এইবিলাকৰ বাহিৰেও আকৌ কোনেও নেদেখা-নুশুনা যে কিমান প্ৰাচীন শিল্পকলা, নগৰ, গাওঁ-ভূঁই আদি মাটিৰ তলত পোত খাই আছে, নাইবা বহু শতাব্দী নিৰুপদ্ৰৱে প্ৰকৃতিৰ কোলাত প্ৰতিপালিত অটবী, অৰণ্য শ্ৰেণীৰ অন্তৰালত লুকাই বাঘ-ভালুক আদি হিংস্ৰ জন্তুৰ ক্ৰীড়াস্থল হৈ আছে, তাৰ কোনে ভু লব? এই দেশৰ প্ৰত্নতাত্ত্বিক অনুসন্ধান এতিয়াও যথেষ্ট হোৱা নাই। ৰীতিমতে অনুসন্ধান আৰম্ভ হলে বহু তত্ত্ব আবিষ্কৃত হৈ জাতীয় বুৰঞ্জীৰ নতুন আৰু গৌৰৱজনক অধ্যায় ৰচিত হব বুলি বিশ্বাস। বেছি দূৰলৈ যাবই নালাগে, আমাৰ ঘৰ লক্ষ্মীপুৰৰ এমাইলমান দূৰতে বিছনদৈ ৰজাৰ সৰু এটা পুখুৰী আৰু কালীৰ থান এখন আছে। কিংবদন্তিমতে এশ আঠোটা নৰমুণ্ডৰ ওপৰত এই বেৰীটো প্ৰতিষ্ঠিত। বৰ্ত্তমানে ডাঙৰ ডাঙৰ গছেভৰা এটা ওখ টিলাৰ দৰে হৈ ৰৈছে। তাৰ মানুহে ইয়াক 'গাড়োমাথা' পাহাৰ বুলি কয়। কাৰণ গাৰোক ইয়াত বলি দিয়া বুলি প্ৰবাদ। ইয়াত ওচৰতে ইটাখুলি বুলি এখন বিল আছে। এই কালীবাৰীৰপৰা কৰৈবাৰীলৈকে এটা বহল আলি আছিল। শুনিবলৈ পোৱা যায়, কৰৈবাৰীত বোলে বহুত পুৰণি কীৰ্ত্তি আছে। ইয়াত কোন ৰজা আছিল, তেওঁৰ নাম বিছনদৈ নে আজিকালিৰ শিক্ষিত মানুহে কোৱাৰ নিচিনা বিষ্ণুদেৱ আছিল, তাক অনুসন্ধান কৰোঁতা কেও নাই। যিকি নহ'ক এইবোৰ বেছি পুৰণা বুলি মনে নধৰে; কাৰণ কেইমাইলমান দূৰত 'টিকিৰি কিল্লা' আৰু 'ৰাখল কিল্লা' বুলি পুৰণি দুটা চিন আছে, তাত যি বন্দুকৰ গুলী পোৱা যায় সিবোৰ চিচাৰ। আকৌ গোৱালপাৰাৰ ওচৰত 'পাগলাটেক' নামে ঠাইত ব্ৰহ্মপুত্ৰৰ দাঁতিত 'পাগল নাথ' নামে এটি শিৱলিঙ্গ আছে। আৰু তাত শিলৰ মন্দিৰৰ ভগা চিন আৰু পৰ্ব্বতৰ গাত 'কুলঙ্গি' এতিয়াও দেখা যায়। গোৱালপাৰা চহৰৰ ওচৰৰ আন এখন পাহাৰত বোলে বহুত শিৱলিঙ্গ আবিষ্কাৰ হৈছে। সেই কথা আপোনালোকৰ বহুতে জানে। ধুবুৰীত 'নেতাই ধুবুনীৰ' ঘাট বুলি শিলৰ খটখটী এতিয়াও ৰৈছে। এইবিলাক প্ৰৰ্ব্বতত্ত্বৰ বিষয়ৰ লগত আমাৰ বিশেষ সম্বন্ধ নাথাকিলেও এনেবিলাকেই জাতিৰ অতীত গৌৰৱ আৰু উন্নতিৰ চিন, তাত কোনো সন্দেহ নাই। এই সম্বন্ধে আৰু বহলাই নকলেও এইখিনি কোৱা বোধ কৰোঁ অতি আৱশ্যকীয় যে এইবোৰ বিষয়ৰ ৰীতিমতে অনুসন্ধান হোৱা উচিত। গোটেই দেশজুৰি থকা এনে ধৰণৰ প্ৰাচীন কীৰ্ত্তিকলাপৰ লগত অসমীয়া ভাষাৰো বহু পুৰণি সম্পদ নিহিত থকা অসম্ভৱ নহয়। সি যি নহ'ক, এইবিলাকৰ ফালে চালে এই দেশখন যে 'অসম' অৰ্থাৎ তুলনাহীন আছিল, সেই কথাৰ সাৰ্থকতাত মনৰ উৎসাহ আনন্দ উপচি পৰে। আপোনাসকলে পাহৰিলে নচলিব যে কাশ্মীৰ আৰু সদিয়াৰ ভিতৰত ভাষাগত যোগসূত্ৰ

জোৰ প্ৰত্নতাত্ত্বিক অনুসন্ধানৰ আৱশ্যক

দেখি ভাষাবিদ্ কিছুমান আচৰিত হৈছে। আৰ্য্যসকল আহি পূব বা পশ্চিম ফালৰপৰাই ভাৰতত সোমাওক নাইবা যি কোনো ফালৰপৰাই সোমাওক বা ভাৰতৰ আদিম অধিবাসীয়ে হ'ক কিম্বা অকল খেতিয়কেই আৰ্য্য হ'ক, পূব ভাৰতৰপৰা পশ্চিম ভাৰতলৈকে হিমালয়ৰ দাঁতিয়েদি এটা যোগাযোগ আছিল তাক কোৱা বাহুল্য মাথোন। কিছুমানৰ মতে পূবৰপৰা ব্ৰাহ্মণ আহি আৰ্য্যবিলাকক পৰাস্ত কৰি এই দেশত বসতি কৰিছিল। যোগিণীতন্ত্ৰতো আছে যে ব্ৰহ্মাই ব্ৰাহ্মণসকলক আনি এই দেশত বহুৱালে।

ভাৰতৰ পূবৰপৰা পশ্চিম ফাললৈ সভ্যতাৰ বিস্তাৰ হৈছিল বুলি শুনিলে কিছুদিন আগলৈও বহুতে বিশেষকৈ য়ুৰোপৰ শিষ্যসকলে চঁক খাই উঠিছিল কিন্তু বৰ্ত্তমানৰ বদ্ধসংস্কাৰবিহীন অনুসন্ধানকাৰীসকলৰ ভিতৰত কিছুমানৰ মনত সন্দেহ হৈছে, জানোবা কথাষাৰ সঁচাই। কাৰণ ইন্দো-চীনৰ হাবিয়ে-জঙ্গলে হিন্দুৰ বহুত পুৰণি মন্দিৰ বিদ্যমান। আকৌ ৰামায়ণত উল্লেখ থকা বহুত ঠাইৰ লগত শ্যামদেশৰ কিছুদিন ঠাইৰ অদ্ভুত মিল আছে। তাৰ প্ৰাচীন ৰাজধানীৰ নাম অচোথ্যা। সেই ঠাইৰ ৰজাৰ উপাধি 'ৰাম' দেখিবলৈ পোৱা যায়। ৰামায়ণৰ ৰামচন্দ্ৰৰো আছিল শ্যাম বৰ্ণ। এই বৰ্ণ কথাটোৰ অৰ্থৰ ওপৰতে ইয়াৰ সমস্যা বহুখিনি নিৰ্ভৰ কৰিছে। বালী ৰজাৰ দেশ বালীদ্বীপত আছিল বুলি ভাবি লোৱাটো স্বাভাৱিক। ৰাৱণে বন্দী কৰা দেৱতাসকল চীনসাম্ৰাজ্যৰ আৰু চীনসমুদ্ৰৰ দ্বীপৰ ভিন ভিন ৰজা বুলি কিছুমানে অনুমান কৰে। কাৰণ আল্টাই পৰ্ব্বতৰপৰা তিৰ্ব্বতলৈকে 'তায়' অৰ্থাৎ দেৱলোক বুলি তেওঁলোকে কব খোজে। দেৱাদিদেৱ মহাদেৱৰ বাসস্থান কৈলাসপুৰীখনো এই তিৰ্ব্বততে। বৰ্ণিওৰ ৰজাই জলদেৱতা বৰুণ বুলি মনে ধৰে। জাভাৰ পৰা জাপান বা জাপানৰপৰা জাভা উপনিবেশ স্থাপন কৰা অসম্ভৱ নহয়। এই দুই ঠাইৰ মানুহ যৱন আছিল বুলি কলে অন্যায় নহয় যেন লাগে। আনফালে 'ৰাৱণ' আৰু 'যৱন' কথাটো যে একেই তাক ভাষাবিদ্‌সকলে স্বীকাৰ কৰিব। বশিষ্ঠ মুনিয়ে চীন দেশত গৈ সিদ্ধি লাভ কৰাৰ কথা দেখিবলৈ পোৱা যায়। কাৰো কাৰো মতে মেৰুপ্ৰদেশৰপৰা আহি ব্ৰহ্মাই বসতি কৰাৰ নিমিত্তে ব্ৰহ্মদেশ নাম হৈছে। এই বৰ্ম্মা প্ৰভৃতি ঠাইৰ বৰ্ত্তমান ভাষা যিয়ে নহ'ক পুৰাকালত এই ভাষাৰ লগত 'ইন্দো-জাৰ্ম্মেন' ভাষাৰ যে অকল মিল আছিল এনে নহয়; অমৰপুৰ, মৰ্ত্তবন, যম প্ৰভৃতি ঠাইৰ নামৰ বাহিৰেও সংস্কৃতৰ তিৰুতা (স্ত্ৰী) শব্দৰ পৰ্য্যায়ৰ লগত ইয়াৰ বহুত ঠাইৰ অদ্ভুত মিল দেখিবলৈ পোৱা যায়। যেনে—নৰা ৰাজ্যৰ তিৰুতা নাৰী, ৰোমৰ (তাই জাতিৰ এটা অংশ ৰোম ৰাজ্যলৈ গৈছিল বুলি বুৰঞ্জীত পোৱা যায়) পৰা ৰমণী, কাম্বোডিয়াৰপৰা কামিনী, ভামোৰপৰা ভামিনী, শ্যামৰপৰা শ্যামা ইত্যাদি।

পূব ফালৰপৰা পশ্চিম ফাললৈ সভ্যতা বিস্তাৰ

শ্যাম, ব্ৰহ্ম প্ৰভৃতি ঠাইত এতিয়াও ব্ৰাহ্মণ দেখিবলৈ পোৱা যায়। ভাৰতবৰ্ষৰ ব্ৰাহ্মণসকলৰ উপাধিৰ আগত 'দেৱ' আৰু ব্ৰাহ্মণীৰ নামৰ পাছত 'দেৱী, কথাটো প্ৰচলিত আছে। কল্পিত স্বৰ্গৰ দেৱতাৰ উপাসক ব্ৰাহ্মণে কেনেকৈ উপাস্যৰ নাম নিজে গ্ৰহণ কৰি বিদ্ৰোহিতা কৰিব পাৰে। যি কি নহ'ক, এইবোৰ সম্বন্ধে বিস্তাৰিত আলোচনা কৰাৰ ঠাই ই নহয়। অকল ইয়াকে দেখুৱাবলৈহে মাথোন বিচৰা হৈছে যে, আৰ্য্য বা ব্ৰাহ্মণসকল পূবৰ পৰা অহা একো আচৰিত নহয়। বৰং সিদিনাখন হলেও, কান্যকুব্জৰ পৰা ব্ৰাহ্মণ অহা কথাটো বহুতে কাল্পনিক বুলি কব খোজে। কাৰণ পাঁচজন ব্ৰাহ্মণ যেনেকৈ কামৰূপলৈ আহিল, তেনেকৈ পাঁচজন বঙ্গদেশলৈ গৈ কুলীন হ'ল। আকৌ উৰিষ্যালৈও বোলে পাঁচজনৰে যোৱাৰ কথা চলিত আছে।

কান্যকুব্জৰপৰা ব্ৰাহ্মণ অহা কাল্পনিক

এই কথা সঁচা বুলি ধৰি ললেও কনৌজৰপৰা অহাৰ বাহিৰে কামৰূপত যে ব্ৰাহ্মণ নাছিল তাক বিশ্বাস কৰিবৰ কোনো হেতু পোৱা নাযায়। বৰং তেজপুৰৰ ভৈৰৱ-ভৈৰৱীৰ মন্দিৰৰ ভগ্নাৱশেষ, বিশ্বনাথৰ শিৱলিঙ্গ, গোৱালপাৰাৰ লিঙ্গময় পাহাৰ,

কামৰূপৰপৰা গৈ ব্ৰাহ্মণে ভাটীত উপনিবেশ স্থাপন কৰিছিল।

৫২৫১/অ:

গুৱাহাটীৰ নানা মন্দিৰ আৰু বিশেষকৈ মহাপীঠ কামাখ্যাৰ ফালে চালে অনায়াসে কব পাৰি, এই দেশত ব্ৰাহ্মণৰ আধিপত্য বহুদিনৰা পৰা। দেশৰ প্ৰাচীন সভ্যতাৰ ফালৰপৰা ধৰিব লাগিলে সন্দেহে হয়, জানোবা কামৰূপৰ পৰাহে ব্ৰাহ্মণ গৈ পশ্চিম দেশত বিশেষকৈ বঙ্গদেশত উপনিবেশ স্থাপন কৰিছিল। কাৰণ সেই প্ৰদেশখন যি শক্তিৰ উপাসক, সেই শক্তিৰ ঘাইপীঠ কামাখ্যা' আজিলৈকে তাৰ গুৰু শ্ৰেণীৰ ব্ৰাহ্মণবিলাকে তেওঁলোকৰ পীঠ কামাখ্যা বুলি প্ৰকাশ কৰিব লাগে। দুই এজনৰ বাহিৰে ভাটীৰপৰা অহা ব্ৰাহ্মণেই হ'ক নাইবা আন জাতিৰে মানুহ হ'ক কোনোবাই কুলী, কোনোবাই গাৰোৱান, কোনোবাই কেৰাণী প্ৰভৃতি একোটা বাব লৈ অহা। কিন্তু বামুণীয়া কামৰ নিমিত্তে বঙাল খাটা বামুণৰ গতি এতিয়াও অপ্ৰতিহত আছে। কোৱা বাহুল্য, আগৰ কালত সাহিত্য চৰ্চ্চাত ব্ৰাহ্মণসকলৰ একাধিপত্য আছিল। সংস্কাৰবদ্ধ নহৈ অনুসন্ধান কৰিলে, এই বিলাক বিষয়েও বহুত কথা ওলাই পৰিব পাৰে।

চীন পৰিব্ৰাজক ফাহিয়ান যেতিয়া এই দেশলৈ আহিছিল তেতিয়া এই দেশৰ অৱস্থা জয়-জয় ময়-ময়। এতেকে এই দেশৰ সাহিত্যও যে উন্নত আছিল তাক অনুমান কৰিব পাৰি। কিন্তু অনুমানৰ ওপৰত বিচাৰ নচলে। আৰু তেজপুৰত আবিষ্কৃত পুৰণি শিলালিপিখনৰ ফালে চালে মনত ধৰে, তেতিয়া ভাৰতৰ সাৰ্ব্বজনীন ভাষা সংস্কৃত কামৰূপতো প্ৰচলিত আছিল। কিন্তু দেশীয় ভাষাৰ প্ৰচলন থকাতো কিছুমান বিষয়ত সংস্কৃতৰ ব্যৱহাৰ এটা পদ্ধতিৰ নিচিনা হৈ সিদিনালৈকে চলি আহিছিল। সমগ্ৰ ভাৰতে বুজিব পৰা কৰিবৰ নিমিত্তেই সংস্কৃতৰ সৃষ্টি বুলি বহুতে ভাবে। আৰু এই ভাষা কোনো প্ৰদেশ বা জাতিৰ কেতিয়াও কথিত ভাষা নাছিল বুলি বহুতে অনুমান কৰে। এতেকে তেতিয়া দেশীয় ভাষাৰ প্ৰচলন নাছিল বুলি সঠিককৈ কব নোৱাৰি। ৬৪০ খৃষ্টাব্দত ২য় চীন পৰিব্ৰাজক হীয়েন চাং যেতিয়া প্ৰাগ্‌জ্যোতিষপুৰ অৰ্থাৎ কামৰূপলৈ আহে, তেতিয়া এই দেশৰ সভ্যতাৰ লগত সাহিত্যৰো উন্নত অৱস্থা আছিল। অৱশ্যে সেই সময়ৰ কোনো পুথি আজিলৈকে আবিষ্কাৰ হোৱা নাই। গতিকে সেই সাহিত্যৰ ৰূপ কেনে আছিল, তাক ঠিক কৰা টান।

নৰকৰ জনকপুৰীলৈ যোৱা নাইবা ভগদত্তৰ কুৰুক্ষেত্ৰ লৈ যোৱা কথা এৰি দিলেও নলন্দৰ লুপ্ত বিহাৰৰ স্তূপ খানোতে ভাস্কৰবৰ্ম্মাৰ ৰাজত্ব কালৰ মুদ্ৰা এটা ওলাইছে। এতেকে সেই সময়ত যে কামৰূপী মানুহৰ পশ্চিম ফাললৈ যাতায়াত আছিল তাক বুজিব পৰি। বৈদ্যনাথ ধামৰ এটা মন্দিৰত সন্ধ্যাদেৱীৰ মূৰ্ত্তি প্ৰতিষ্ঠিত আছে। এই মূৰ্ত্তিটো কামৰূপৰ বশিষ্ঠাশ্ৰমৰপৰা লৈ গৈ তাত প্ৰতিষ্ঠা কৰা বুলি প্ৰবাদ আছে। ইয়াৰ ধ্যান সন্ধ্যাৰ সাধাৰণ ধ্যানৰ দৰে নহয়। যেনে –

"কামৰূপং পৰিত্যজ্য হৃদ্য পীঠ সমাগতাং।
ত্যক্তকামাং মহাদেবীং সিংহস্থামসি ধাৰিণীং॥
ৰাবণস্য বধাৰ্থায় হৃদ্যপীঠ সমাগতাং।
সন্ধ্যাদেবীং মহামায়াং ভজামোঽভীষ্টদায়িনীং॥"

এই সন্ধ্যাদেৱীৰ মন্দিৰৰ সন্মুখস্থ শিল এডোখৰত প্ৰাচীন লিপিৰে এইদৰে লিখা আছে—

"যত্ৰাসৌ প্ৰিয়নীল শৈল বসতিং বিস্মৃত্য বাসংব্যধা।
দুত্তানী পৰিপূৰয়ন্ত্যতিমতি দেৱী বিপত্তাৰিণী।..."

'বৈদ্যনাথ মাহাত্ম্যম্' নামেৰে কিতাপখনত এইদৰে লিখিছে।—"পুৰণি কালত ৰজা নৰকাসুৰ কামৰূপৰ অধিপতি আছিল আৰু তেওঁৰ পক্ষৰপৰা মহামায়া কামাখ্যাৰ পূজা হৈছিল। এদিন তেওঁৰ পূজাৰ সময়ত বশিষ্ঠ মুনিয়ে কামাখ্যাক পূজিবলৈ উপস্থিত হ'ল। ৰজা নৰকাসুৰে তেওঁক নিজৰ পূজা সমাধা নোহোৱালৈকে অপেক্ষা কৰিব কোৱাত ঋষিশ্ৰেষ্ঠৰ খং উঠি ৰজা নৰকাসুৰক নাশ হবলৈ আৰু দেৱীক কামৰূপ ত্যাগ কৰি আন ঠাইলৈ যাবৰ নিমিত্তে অভিশাপ দিছিল। সেইবাবে মহামায়া কামাখ্যাই কামৰূপ পৰিত্যাগ কৰি সন্ধ্যাদেৱী নামে খ্যাত হৈ হৃদ্যপীঠত অধিষ্ঠান কৰিব লাগিছে। আকৌ অৰ্জ্জুনৰ প্ৰতি কল্যাণমিত্ৰ মুনিৰ বাক্য হৈছে—

"স্মৰন্তি দেৱী সম্ভূয় কালৰাত্ৰি স্বৰূপিণীং।
কামৰূপং পৰিত্যজ্য সা সন্ধ্যা সমুপাগতা॥
হৃদ্যপীঠং সমাসাদ্য বাসঞ্চক্ৰে—" ইত্যাদি।

এইবিলাক প্ৰত্নতাত্ত্বিক আলোচনা কৰা আমাৰ উদ্দেশ্য নহয়। আৰু সাহিত্যৰ বিষয়ত এই বিলাকৰ অৱতাৰণা বহুতে অনাৱশ্যক বুলি ভাবিবও পাৰে; কিন্তু সাহিত্য আলোচনাৰ আগেয়ে সাহিত্যৰ অধিকাৰীসকলৰ অতীত কিমান উজ্জ্বল আছিল তাৰ চিনাকিৰ আৱশ্যক বোধ কৰোঁ কোনেও অস্বীকাৰ নকৰিব। যিকি নহ'ক বশিষ্ঠমুনিৰ অভিশাপ নে বৰ আছিল, আদি মানৱ আডম্ আৰু ইভৰ জ্ঞানবৃক্ষৰ নিষিদ্ধ ফল ভক্ষণৰ নিচিনা এই কথা ৰূপকেই হ'ক বা সঁচাই হ'ক বৈদ্যনাথত থকা মহামায়া সন্ধ্যাদেৱী যে কামৰূপৰপৰা লৈ যোৱা, তাত কোনো সন্দেহ নাই। এই বিগ্ৰহৰ লগতেই কিছুমান ব্ৰাহ্মণ আদি মানুহ গৈ বৈদ্যনাথৰ ফালে বহাটো আচৰিত নহয়। আৰু কিছুমান মানুহ যে এই বিগ্ৰহৰ লগত গৈছিল আৰু তেওঁলোক চিৰকাল দেশত্যাগী হোৱাৰ বাবে যে ইয়াক অভিশাপ বুলি উল্লেখ কৰা হৈছে তাক অনুমান কৰিব পাৰি। ইয়াৰ বাহিৰেও খ্ৰীঃ ১১শ শতাব্দীত কামৰূপৰ সীমা যে গণ্ডকী লৈকে আছিল তাক 'আলমগীৰনামা' নামে পুথিত লিখা আছে বুলি 'History of the Frontier Tribes' বোলা কিতাপত উল্লেখ আছে। এনেকৈয়ে কামৰূপী সভ্যতা পশ্চিম ফাললৈ বিয়পি পৰিছিল বুলি কলে একো অন্যায় নহয়।

ডাকৰ বচন আদি কৰি আৰু তাৰ পিছতো শঙ্কৰী যুগত লিখা নানা পুথি উদ্ধাৰ হৈছে। এইবোৰ আমাৰ সাহিত্যিক সমাজৰ আগত কোৱা বাহুল্য মাথোন। আমি অকল ইয়াকে দেখুৱাব খুজিছোঁ যে দেশৰ আন উন্নতিৰ লগত সাহিত্যৰ ওতপ্ৰোত সম্বন্ধ। খিনিতে এটা স্কুলীয়া জীৱনৰ ঘটনা মনত পৰিল। তাক ইয়াত উল্লেখ কৰিলে বোধ কৰোঁ অপ্ৰাসঙ্গিক নহব। তেতিয়া মই গোৱালপাৰা স্কুলৰ ছাত্ৰ। এদিন বঙ্গদেশৰ শিক্ষক এজনে সুধিলে—"বাৰু, এই দেশখন এনে প্ৰাকৃতিক সৌন্দৰ্য্যেৰে ভৰপূৰ, তথাপি অসমত কবি নাই কি কাৰণে?" প্ৰশ্নৰ উত্তৰ দিব পৰা ক্ষমতা তেতিয়া নাছিল। আকৌ তেওঁ বোলে এই প্ৰশ্নটোকে তেতিয়াৰ ছাত্ৰবৃত্তি স্কুলৰ পণ্ডিত (৺সাধিৰাম কাকতী) ডাঙৰীয়াক সুধিছিল আৰু তেওঁ বোলে তাৰ একো উত্তৰ দিব পৰা নাছিল। কথাষাৰ শুনি একো উত্তৰ দিব পৰা নগ'ল, যদিও আমাৰ ঘৰতে মদন মোহন বিগ্ৰহৰ লগতে 'নামঘোষা' পুথি এখনে পূজা পাই আহিছিল। কাকো একো নজনাই 'মনোমতী' উপন্যাস-লিখক শ্ৰীযুত ৰজনী কান্ত বৰদলৈ, বি-এ ডাঙৰীয়ালৈ এই প্ৰশ্ন সুধি এখন চিঠি লিখা হৈছিল। তেওঁ তেতিয়া এজন ই-এ-চি, সেই থকা জনা নাছিল। কিতাপত গ্ৰন্থকাৰৰ নাম আৰু ঠিকনা চাই বৰপেটালৈ লিখা হৈছিল। যথাসময়ত তেওঁৰ উত্তৰ আহিছিল। তেওঁ কেইখনমান কিতাপৰ নাম পঠাইছিল আৰু তাৰ বাহিৰেও গীতাৰ অসমীয়া ভাঙনীৰ কথা লিখি মন্তব্য কৰিছিল যে সি তিনি শ বছৰৰ আগৰে ভাঙনী। কিন্তু বঙ্গদেশত সিদিনা মাথোন নবীন সেনে প্ৰথমে গীতাৰ ভাঙনী উলিয়াইছিল।

এই 'তিনি শ বছৰ' কথাখিনি শুনিবলৈ অলপ যেন লাগিলেও ইয়াৰ ভিতৰত যে অসমৰ অৰ্থাৎ কামৰূপৰ ভাগ্যৰ কিমান পৰিবৰ্ত্তন হৈছে, কিমান বিপ্লৱ, কিমান ভূঁইকঁপ আদিয়ে দেশৰ ভৌগোলিক অৱস্থাৰ সলনি কৰাৰ লগে লগে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অৱস্থা কিমান বদলাইছে আৰু বদলাব লাগিছে তাক কোৱা টান। আকৌ এইবোৰৰ পিছতো আছিল ভাষাবিভ্ৰাট। অসমীয়া আৰু বঙলা ভাষাক প্ৰায় একে যেন দেখি গভৰ্ণমেণ্টে ভুল কৰি বঙলা ভাষা অসমত প্ৰবৰ্ত্তন কৰিছিল। অৱশ্যে সেই ভাষা নচলিল। কামৰূপৰ ভাষাৰ প্ৰাচীনত্ব দেখি সেই ভুল আঁতৰিল। সি যি নহ'ক, কথাষাৰ শুনি পণ্ডিত ডাঙৰীয়াই ৰায় বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ সঙ্কলিত অসমীয়া ৰামায়ণ এখন মোক পঢ়িবলৈ দিলে। সেই কিতাপৰ পাতনিত কন্দলি ৰামায়ণ আৰু শ্ৰীমৎ শঙ্কৰদেৱ সম্বন্ধে সেই সময়ৰ বঙালী প্ৰসিদ্ধ মাহেকীয়া কাকত 'নব্যভাৰত'ৰ কথাৰ প্ৰতিবাদ আছিল। এইবোৰ জনা স্বত্বেও পণ্ডিত গৰাকীয়ে অজ্ঞতাৰ ভাও দেখুৱাই উত্তৰ নিদিয়াৰ কাৰণ উল্লেখ কৰিছিল,—ইয়াত বোলে বহুত কথা আছে, যাৰপৰা চাকৰি সম্বন্ধেও গোলমাল হব পাৰে। সেই ভয়তে তেওঁ হেনো একো উত্তৰ দিয়া

নাছিল। পিছত সেই শিক্ষকজনে মোৰ মুখত সেইবোৰ কথা শুনি সুধিছিল—"সচা নে ?"

এই প্ৰশ্ন যে অকল তেওঁৰে তেনে নহয়, ই গোটেই ভাৰতৰে প্ৰশ্ন। অনাৰ্য্য নামধাৰী (কামৰূপ, বঙ্গ, মগধ প্ৰভৃতি নামবিলাক বোলে অনাৰ্য্য) দেশতো সাহিত্য আছে নে ? খ্ৰীষ্টজন্মৰ আগৰপৰা ভিন ভিন সময়ত জাতীয় সাহিত্যৰ কিমান উন্নতি হৈছিল তাৰ ধাৰাবাহিক বুৰঞ্জী জগতৰ আগত প্ৰকাশ হোৱা দূৰৰ কথা, ইমান দিনে সকলো অসমীয়াই জানিব পৰা নাছিল, অসমীয়া সাহিত্যৰ ভেটি কিমান পুৰণি আৰু কিমান দৃঢ়। অসম বুৰঞ্জীয়েই ভাৰতৰ ভিতৰত একমাত্ৰ ধাৰাবাহিক বুৰঞ্জী বুলি জনাজাত। কিন্তু সেই অসমৰ বৃত্তান্ত ভাৰত বুৰঞ্জীৰ পাতত উল্লেখ নাই বুলিলেও হয়। অৱশ্যে এয়ে ইয়াৰ ভিতৰতো অলপ সুখৰ বিষয় যে বিশ্ববিদ্যালয়ৰপৰা পুৰণি সাহিত্যৰ চানেকি হিচাপে কিছুমান কিতাপ ছপা হৈছে। কিন্তু পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামীদেৱে যিবিলাক পুথি সংগ্ৰহ কৰিব পাৰিছিল, তাৰ বাহিৰেও আন বহুত পুথি মানুহৰ ঘৰত এতিয়ালৈকে নিগনিৰ বাহ হৈ আছে বুলি শুনিবলৈ পোৱা যায়। ৰীতিমতে অনুসন্ধান চলিলে আৰু বহুত পুথি ওলাব পাৰে। কেবছৰমান আগেয়ে ৺শিৱনাথ শাস্ত্ৰী নামে বঙালী এজনে নেপালৰ ৰাজধানী কাটামুণ্ডৰ পুথি-ভৰালৰপৰা তিনিখন পুথি লৈ আহিছিল বুলি প্ৰকাশ পাইছিল। তাৰে এখনৰ নেকি অৰ্থবোধ হৈছে ; আন দুখন বোলে বোধগম্য নহয়। আমাৰ কিন্তু এইখিনিতে সন্দেহ জন্মে, জানোবা ই পুৰণি কামৰূপৰ ভাষাতে লিখা। অৱশ্যে সন্দেহ আৰু সত্যৰ মিল নহবও পাৰে। যি কি নহ'ক সাহিত্য সভাৰপৰা এইবিলাকৰ অনুসন্ধান হোৱা হোৱা উচিত। এনেকৈ কন্দলি ৰামায়ণ, ডাকৰ বচন আদিক বঙলা বুলি অৱশেষত ইয়াৰ কিছুমান অংশৰ অৰ্থ কৰিব নোৱাৰা কথা বহুতে জানে। ডাকৰ বচনৰ এখন নেপালী অনুবাদ আছে বুলিও শুনিবলৈ পোৱা যায়। বিচাৰিলে বোধ কৰোঁ নেপাল, তিব্বত, ভোটান প্ৰভৃতি ঠাইতো অসমীয়া পুথি ওলাব পাৰে। কোচবিহাৰৰ লাইব্ৰেৰীতো কিছুমান অসমীয়া পুথি আছে আৰু তেনেকৈ মণিপুৰ আৰু ত্ৰিপুৰা ৰজাৰ পুথি-ভৰালতো বিচাৰিলে কিবাকিবি ওলাব বুলি অনুমান কৰিব পাৰি। কলিকতাৰ 'এচিয়াটিক চোচাইটি'ৰ হাততো কিছুমান কিতাপ থকা সম্ভৱ। ইয়াৰ বাহিৰেও বিশ্বকোষ লিখক প্ৰাচ্যবিদ্যা-মহাৰ্ণৱ শ্ৰীযুত নগেন্দ্ৰনাথ বসু ৰায় বাহাদুৰৰ হাততো কিছুমান অসমীয়া কিতাপ আছে বুলি প্ৰকাশ। আকৌ চাহ বাগিছাৰ বহুত ছাহাবে সুবিধামতে কামৰূপী পুথি কিনি নিজ দেশলৈ চালান দিব ধৰিছে বুলিও শুনা যায়।

ডাকত বচন আদি লৈ বঙালীৰ দাবী

অসম সাহিত্য সভ্যই অনুসন্ধানৰ ত্ৰুটী কৰা নাই সঁচা ; কিন্তু এই কাম বহু অৰ্থসাপেক্ষ। এতেকে অনুসন্ধানৰ কামত সহায় লাগে আৰু তাৰ বিশ্ব-বিদ্যালয়ৰপৰা বহুখিনি কৰা সম্ভৱ। সেই নিমিত্তে নিজ দেশৰ সুকীয়া য়ুনিভাৰ্ছিটিৰ আৱশ্যকতাৰ ইও এটা কাৰণ বুলি বহুতে মত প্ৰকাশ কৰে। সেই কথাৰ বহল আলোচনাৰ ঠাই ই নহয়।

অনুসন্ধানৰ কামত বিশ্ববিদ্যালয়ৰ সহায় আৱশ্যক

মানুহ সমাজবদ্ধ জীৱ। নানা বিচিত্ৰতা আৰু প্ৰতিযোগিতাৰ ভিতৰেদি এই সমাজ গঢ়ি উঠে। সেই সমাজ নিয়ন্ত্ৰণৰ নিমিত্তে ভাবৰ শৃঙ্খলাৰ দৰকাৰ। তাৰে পৰা ধৰ্ম্ম আৰু ধৰ্ম্মৰ নিমিত্তে শাস্ত্ৰৰ প্ৰৱৰ্ত্তন।

যেতিয়া শব্দবোৰৰ সাঙ্কেতিক চিন ওলোৱা নাছিল তেতিয়া সমাজৰ মঙ্গলৰ বাবে মুখে মুখে কিছুমান ধৰ্ম্মোপদেশ দিয়া হৈছিল। সেইবোৰ কথাই আনৰপৰা শুনি মনত ৰাখি শ্ৰুতি আৰু স্মৃতিৰূপে চলি আহিছিল। পিছত লিখন কৌশল উদ্ভাৱিত হোৱাত সেইবোৰ উপদেশ-বাণী সঙ্কলিত কৰা হৈছিল। এতেকে ধৰ্ম্ম-উপদেশৰ পৰাই পৰাই সাহিত্যৰ সৃষ্টি বুলিব পাৰি।

ধৰ্ম্ম উপদেশৰ পৰা সাহিত্য-সৃষ্টি

মানুহৰ মনৰ ভাব জগাই তুলিবৰ বাবে উপদেশ আদিৰ লগে লগে নানা ঘটনাৰ উল্লেখ কৰি মনত নানা ভাবৰ প্ৰেৰণা জগাই তোলা হৈছিল। ক্ৰমে ভাবৰ উন্নতিৰ

লগে লগে নানা উদ্দেশ্য লৈ নানা বিষয়ৰ অৱতাৰণা বা বা বৰ্ণনা কৰি ৰসমাধুৰীৰ সৃষ্টি কৰা হৈছিল। ভাব প্ৰকাশৰ ভাষাও সুললিত হৈ সাহিত্যৰ কোনো নিৰ্দ্দিষ্ট বিষয়ত আৱদ্ধ নাৰাখি সকলো বিষয়ৰ ভিতৰেদি লৈ গৈ বিষয়াতীত কৰিলে, এই নিমিত্তেই আজি বিৰাট, মানৱজাতিৰ চিৰকলীয়া ভাবৰ পিৰালিৰ ওপৰত মৰ্ম্মবাণীৰ বিতোপন ৰূপ স্বৰূপে প্ৰকটিত হৈ নিত্যতা প্ৰকাশ কৰিছে, গতিকে ই চিৰন্তন শাশ্বত। আৰু ই কোনো ব্যক্তি বা শ্ৰেণীবিশেষৰ অথবা কোনো কস্তুবিশেষৰ নহয়। ই ৰোগী, ভোগী, সুখী, দুখী, গৃহী, সন্ন্যাসী প্ৰভৃতি সকলোৰে এই নিমিত্তেই সাৰ্ব্বজনীন।

দেশ, কাল, পাত্ৰৰ একাধিপত্য নোহোৱা ভাবময় নিখুঁত মূৰ্ত্তিটোক নৱৰসেৰ সাজি নতুন ৰঙেৰে ৰঙালি আৰু নানা অলঙ্কাৰেৰে বিভূষিত কৰি জগতৰ আগত দাঙ্গি ধৰিব পাৰিলে বিশ্ব-সাহিত্য। এই বিশ্বসাহিত্য গঢ়ি তুলিব পাৰিছে—অকল প্ৰতিভাৱান সাহিত্যিকে। এই নিমিত্তে কোনো প্ৰতিভা-ৱান পুৰুষ কোনো বিশেষ দেশৰ বা সমাজৰ নহয় ; তেওঁলোক জগতৰ। এওঁলোকৰ ৰচনাৰ মাজেদি যি অমৃতৰ উদ্ধাৰ হয় সি অনন্ত কাললৈকে দিশে দিশে চিৰ পৱিত্ৰধাৰা বোৱাই মানুহক এটা প্ৰীতি, এটা তৃপ্তিৰ অনুভূতিত আপ্লুত কৰে। এই প্ৰতিভাই কোনো মানুহৰ উপদেশৰ অপেক্ষা নকৰে। কিন্তু কোনো কোনো ক্ষেত্ৰত ই সহায়সাপেক্ষ। কিমান সুগন্ধি ফুল মানুহৰ চকুৰ আঁতৰত বননিত ফুলি অনাঘ্ৰাত অৱস্থাতে শুকাই যায়, কোনেও তাৰ গমকে নাপায়। সহায় সম্পদ পালে সেই-বোৰে সুৰম্য সাহিত্য ফুলনিত ফুলি সৌৰভেৰে দশোদিশ আমোদিত কৰিব আৰু ইন্দ্ৰানীৰ কৰ্ণাভৰণৰূপে বিৰাজ কৰি সত্যভামাৰ ঈৰ্ষাৰ কাৰণ হব পাৰিলেহেঁতেন। কিন্তু সৰহভাগ ঠাইতে তেনে হবৰ সুযোগ নহয়।

বিশ্ব-সাহিত্য

যি পৰিমাণে শিল্পীয়ে ৰস গ্ৰহণ কৰিব পাৰে আৰু ভাবধাৰাক যি পৰিমাণে বিচিত্ৰ বৰণ বা বচনত বহণাই বা বৰ্ণাই জাতিক আৰু জগতক দেখুৱাব পাৰিছে তেৱেঁ তিমান শ্ৰেষ্ঠ। কিন্তু এই ৰসবোধক অধিকাৰীৰ আৱশ্যক। ব্যক্তি বা জাতিৰ ৰসবোধক শক্তি, তাৰ শিক্ষা আৰু কাল-ধৰ্ম্মৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে। বাৰিষাৰ মল্লাৰ ৰাগ, চতৰ খৰাঙত গালে পৰিশ্ৰম তেনেই ব্যৰ্থ হোৱা সম্ভৱ। কিন্তু যি চিৰন্তন আৰু যি সত্য তাৰ আদৰ নোহোৱাকৈ নাথাকে। এদিন নহয় এদিন তাৰ সৌৰভ দিঙ্‌মণ্ডলত বিয়পি পৰিবই। মহাকবি মিল্টনৰ জীৱদ্দশাত তেওঁৰ ৰচনাৱলী উপলব্ধি কৰিব পাৰিছিল কেইজনে ? পিছত সেয়ে আজি ইংৰাজী সাহিত্য-ভৰালৰ প্ৰধান ৰত্ন-ৰাজিৰ অন্যতম।

আকৌ কিছুমান সাহিত্যৰ অস্থায়ী আদৰ দেখিবলৈ পোৱা যায়। কিবা এটা নতুন দেখিলেই কিছুমান মানুহ আকৃষ্ট হয়। ই চঞ্চল মনৰ পৰিচায়ক। যি সাহিত্যত ৰূপত বাহিৰে ৰস, গোন্ধ একো নাথাকে, সেই ৰূপৰ মোহ সৰহ দিন স্থায়ী নহয়। অলপ দিনত পিছতে তালৈ আকৰ্ষণ নোহোৱা হয়।

জাতীয় সাহিত্যৰ ধাৰা অলপ আনবিধৰ। ই নৱ ৰসেৰে ভৰপূৰ ফুলি থকা শতদল পদুম ; বীণাপাণিৰ চিৰ-পৱিত্ৰ পীঠ ! তাৰ একোটা পাহি কাব্য, দৰ্শন, বিজ্ঞান শিল্প প্ৰভৃতিৰ ৰূপ। সাধাৰণতঃ শিক্ষাপূলক যি, সেই সকলো সাহিত্যৰ ভিতৰত। কিন্তু শব্দমাত্ৰেই যেনেকৈ ভাষা তেনেকৈ কিবা অলপ লিখিলেই সাহিত্য নহয়। তথাপি সাহিত্য নাম নোপোৱা কিছুমান লিখা একেলগে গোটালেও সাহিত্য নাম দিয়া হয়। যি কি নহ'ক সাহিত্যৰ নামৰ তালিকা দিয়াৰ সকাম নাই। মুঠ কথা ভাবসমুদ্ৰমন্থনৰপৰা ওলোৱা অমৃত, হলাহল আদি সকলোখিনি সাহিত্য পদ-বাচ্য। কেতিয়াবা ই বজ্ৰনিৰ্ঘোষৰ দৰে ভয়ঙ্কৰ ; কেতিয়াবা মঙ্গল শঙ্খনিনাদৰ নিচিনা স্নিগ্ধকৰ, আকৌ কেতিয়াবা বাঁহীৰ সুৰদি সুৰৰ দৰে মনপ্ৰাণ উন্মাদকৰ। সাহিত্যৰ ধাৰাই মানৱ সমাজৰ পশুভাৱ দূৰ কৰি সুপ্ত দেৱভাব জগাই তুলিব পাৰে। আনফালে আকৌ মানুহক নৃশংস পশুৰ অৱতাৰ কৰি তুলিব পাৰে সাহিত্যৰ ৰচনাই। এই নিমিত্তে মানৱ সমাজত সাহিত্যিকৰ কৰ্ত্তব্য আৰু

জাতীয় সাহিত্য

দায়িত্ব অতি গধুৰ। সাহিত্যিকৰ কৰ্ত্তব্য, আৰু ধৰ্ম্মভাবৰ ফুলনিত ওখ আদৰ্শৰ নানা ৰঙৰ ফুল ফুলাই জগত সৌৰভময় কৰি তোলা। এইসকলেই সমাজৰ শিক্ষক আৰু ভালবেয়া উপদেশদাতা। কালৰ বাণীও প্ৰচাৰ হয় সাহিত্যৰ ভিতৰেদি। সাহিত্যই সমাজত নতুন 'আৱহাৱা' সৃষ্টি কৰে, দেশৰ বিভিন্ন সম্প্ৰদায়ৰ মানুহক একতাৰ ডোলেৰে বান্ধি এটা 'নেশ্যন' অৰ্থাৎ জাতি গঢ়ি তোলে। আৰু সেই নেশ্যনক এক উদ্দেশ্য সিদ্ধিৰ বাটত আগ বঢ়াই দিয়ে। আনফালে এই সাহিত্যই সমাজ, দেশ বা ৰাষ্ট্ৰৰ মাজত ঘোৰতৰ বিপ্লৱৰ সৃষ্টি কৰে। মুঠতে সাহিত্যৰপৰাই জাতীয় ভাৱ আৰু ভাষাৰ ক্ৰমবিকাশ ঘটে। এই কামত যি যিমান কৃতকাৰ্য্য, তেওঁৰ ৰচনা সিমান সাৰ্থক। এই নিমিত্তে সাহিত্যিকে মানুহক হঁহুৱাব, কন্দুৱাব, নচুৱাব কিন্তু নিজে এজন নিৰপেক্ষ দৰ্শক মাথোন হৈ থাকিব। তাৰ বাহিৰেও সাহিত্যিকৰ থকা আৱশ্যক শৃঙ্খলা, সংযম, ধীৰতা, একনিষ্ঠতা আৰু সৌন্দৰ্য্যবোধ। এই কল্পতৰু অৰ্থাৎ ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ এই চতুৰ্ব্বৰ্গ ফল গছৰূপী সাহিত্যৰ গুণাগুণ বিচাৰ হব তাক বিশ্লেষণ কৰি। আৰু সেই বিশ্লেষণৰ ভাৰ সাহিত্যিক সমাজৰ তথা সাহিত্যসভাৰ।

সাহিত্যিকৰ কৰ্ত্তব্য

সকলো সময়তে সাহিত্য উদ্দেশ্যপূৰ্ণ নহব পাৰে, কিন্তু আন গুণ কেইটা নাথাকিলে তাক নিকৃষ্ট স্থান দিয়া হয়। অৱশ্যে কোনো ৰচনা উৎকৃষ্ট নাইবা নিকৃষ্টই হ'ক, সি সাধাৰণ ডায়েৰী নাইবা তাম্ৰশাসন বা শিলালিপিয়ে হ'ক, তুলনামূলক আলোচনাৰ বাবে জাতীয় সাহিত্যত তাৰো বিশেষ আৱশ্যক। এই নিমিত্তে শিক্ষিত সমাজত পুৰণি শিলালিপি, তামৰ ফলি আৰু পুৰণি গাৱলীয়া গীত আদি সংগ্ৰহ কৰিবৰ চেষ্টা দেখা যায়। তাৰপৰা যে অকল বুৰঞ্জী বা প্ৰত্নতত্ত্ব আলোচনাতহে সহায় হয় তেনে নহয়, তাৰ দ্বাৰা দেশ বা জাতিৰ সাহিত্যত ক্ৰমবিকাশ, লিখকৰ মনৰ ভাৱ, জাতীয় আকাঙ্ক্ষা প্ৰভৃতি আলোচনাৰ পক্ষে সুচল হয়।

অসমীয়া ভাষা ক্ৰমোন্নতিৰ বাটত কেনেকৈ গীতিযুগৰ পৰা বৰ্ত্তমান অৱস্থাত পৰিছেহি তাৰ উদাহৰণেৰে সৈতে বহুত আলোচনা আৰু ধাৰাবাহিক বুৰঞ্জী আমাৰ সাহিত্যিক সমাজে ভালকৈ জানে। এইবোৰ কথা বহু বাৰ আলোচিত হৈছে। এই সম্বন্ধে অকল ইয়াকে কলে হব যে ভাষা বা সাহিত্যৰ গুৰি বা ভেঁটি হিচাপে সেইবিলাক পুৰণি গ্ৰন্থাৱলীৰ মূল্য নিচেই কম নহয়। গতিকে তাৰ প্ৰত্যেকখনকে সংগ্ৰহ আৰু প্ৰকাশ কৰা উচিত। কিন্তু বিশ্ববিদ্যালয়ৰ পৰা যিখিনি ছপা হৈ ওলাইছে সেইখিনি ৰাজসংস্কৰণ হোৱাৰ বাবে বহুতৰ পক্ষে তাৰ বেচ বেছি হোৱা যেন বোধ হয়। এতেকে এইবোৰ ৰাজহুৱা সংস্কৰণ অৰ্থাৎ গ্ৰন্থাৱলী হিচাপে ছপাই উলিয়ালে সৰ্ব্বসাধাৰণৰ পক্ষে ভাল হব যেন লাগে। এই কামত এটা লক্ষ্য কৰিব লগীয়া কথা হৈছে, যাতে কোনো অংশ মূল পুথিৰ পৰা বাদ নপৰে আৰু বিকৃত নহয়। প্ৰহ্লাদৰ ঠাইত প্ৰহ্লাদ কৰিব গ'লে তাৰ মূল্য বহুত কমিব। কাৰণ পুৰণি লিখাৰ প্ৰাচীনত্ব হিচাবে তাৰ এটা মূল্য আছে, কিন্তু কোনো শব্দৰ বানান, পদবিন্যাস বা আন কিবা পৰিবৰ্ত্তিত হলে নাইবা বাদ পৰিলে ভাষাৰ অভিব্যক্তিৰ ইতিহাস লিখিবৰ সময়ত তাৰ সূত্ৰ পোৱা টান হৈ পৰে। গতিকে এইবোৰৰ সাৰ্থকতা তেতিয়া যে একো নাথাকিব তাক কোৱা বাহুল্য মাথোন। কিছুমান পুৰণি পুথিৰ কোনো কোনো অংশ অশ্লীলতা দোষত দুষ্ট বুলি বহুতে মত প্ৰকাশ কৰে। তেনে ধৰণৰ বা তাতকৈও বেছি অশ্লীলতাপূৰ্ণ সংস্কৃত গ্ৰন্থ পোৱা যায়। সেইবিলাকৰ সম্বন্ধে সকলো নিমাত! আমাৰো সাহিত্যত পুৰণি চানেকি হিচাপে যিখিনি আছে সি ঠিক তেনেদৰে থকা উচিত। বৰ্ত্তমান ৰুচি অনুসাৰে তাত হাত দিব গলে তাৰ অঙ্গহানি কৰা হব মাথোন। পুৰণি ভেটিত নতুন থিয় হলেও বৰ্ত্তমানৰ হিচাপত অতীতৰ বিচাৰ নচলে। নাইবা কেতিয়াবা যদি এই দেশখন বৰ্ত্তমান ৰুচিয়াৰ দৰে ধৰ্ম্ম বিদ্বেষী হয় তেনেহলে পুৰণি শান্তিপূৰ্ণ সকলো গ্ৰন্থ লোপ পাবৰ সম্ভৱ। কিন্তু সেইটো জানো ভাল হব? অৱশ্যে নতুন লিখকসকলে, বৰ্ত্তমান ৰুচি অনুসাৰে যি নীতি আৰু ধৰ্ম্ম সকলো দেশতে, সকলো সময়তে আৰু সকলো পাত্ৰ বা সমাজতে আদৰ পায়, তালৈ চকু ৰাখি সাহিত্য গঢ়িবৰ চেষ্টা কৰা উচিত। (ক্ৰমশঃ)

বন্ধুৰ দান

গল্প—

—শ্ৰীযুত বাপুৰাম কাকতী

তেতিয়া ভাদমাহ। শাওণত ধাৰাষাৰে বৰষুণ দি এই কেদিনমান টিকাফটা ৰদত মানুহৰ থৰকাছুটি হেৰুৱাইছে। দূৰৈত এটা চৰায়ে মাতিছে, "মই কৃ—ষ্ণ, মই কৃ—ষ্ণ।" ঘৰত মই আৰু মোৰ গুৱাহটীয়া লগুৱা কানাই। সৰুতে তাক মাউৰা কৰি মাক-বাপেক দুয়ো এবেলাৰ অগাপিছাকৈ মাউৰত ঢুকাল। তেতিয়াৰে পৰা সি মোৰ লগত। কানাই নামটোও তাক ময়ে দিয়া।

সেইদিনা দেওবাৰ। বেলি লেহিয়াইছে যদিও দিনটো বৰ গৰম হৈয়ে আছে; কেনিও গছপাত এটি লৰা নাই। চাটিফুটি কৰি বিছনাখনতে বাগৰি-জিগৰি আছো। ভিতৰত কানায়ে ৰান্ধনি ঘৰৰ মজিয়া অঁতাইছে। মাতিলো—"কানাই!"

'গৈছো ককাইদেউ!" এই বুলি কান্ধত পেলাই লোৱা এলেন্ধুৱা গামোছাখনতে হাত মুচি মুচি কানাই ওলাই আহি সুধিলে "কিয়বা মাতিছে?"

"মজিয়া অঁতোৱা হলনে? চাওঁ মেজৰ পৰা এটা নেমুটেঙ্গা নি এগিলাছ "চৰ্পত" কৰি আন।" সি যাব খুজিছে আকৌ মাতি কলো, "হাৰমনিয়মটো উলিয়াই দি যা।" হাৰমনিয়মটো উলিয়াই দি সি নিজৰ কামলৈ গুচি গল।

বিছনাত "হাৰমনিয়মটো" তুলি হাত বুলাই আছো। কি আপদ! এটা গানো মনত নপৰা হল। কি কৰো? সৰুৰে পৰা বঙ্গলুৱা গান গাইছোঁ, লোকৰ মুখতো প্ৰায়েই বঙ্গলুৱা গানকেহে শুনো। লোকে লোকে কয় "অসমীয়াৰ ভাল গান নাই, ভাল সুৰ নাই—থাকিলেহে গাম।" কথা ফাঁকি সঁচাই নেকি? চাওঁচোন বাৰু এটা বিচাৰি মনত পৰে নে নপৰে। এইবিলাক ভাবৰ মিঠৈলাৰু বান্ধি থাকোঁতে থাকোতে মনত পৰিল বীণবৰাগীৰ এটা বনৰীয়া গীত—

বিলত তিৰেবিৰাই পদুমৰ পাহি অই
পাতত তিৰেবিৰাই পানী;
ৰদত তিৰেবিৰাই জিঞাৰে পাখী অই
ফুলনিত ফুলৰে ৰাণী।
আন্ধাৰত জোনাকী পৰুৱা জিলিকে
হিয়াত মোৰ জিলিকে কোন;
হব নে এনে দিন বাজিব ভগা বীণ
হিয়াত মোৰ জলিব পূৰ্ণিমাৰ জোন?

"হব তোৰ সেইদিন, আহিব কেঁচা সোণ, হিয়াত তোৰ জলিব পূৰ্ণিমাৰ জোন।" সুৰতে সুৰ মিলাই গাই গাই বিমলে ভিতৰ সোমাই আহি সুধিলে "বাৰে বা। তোৰ নো সেই পূৰ্ণিমাৰ জোনটী কোন অ'? কোন আকাশত সেইটী জোনবায়ে পোহৰ দিয়ে—তইঁতৰ তাত নে আমাৰ ইয়াত?

বিমলৰ প্ৰশ্নৰ জালত মন অস্থিৰ হৈ উঠিল, কিন্তু পিছ মুহূৰ্ত্ততে নিজক চম্ভালি লৈ কলো "তোৰ কথা একো বুজা নাই। গান কিবা গাওঁতাই কাৰোবাক লক্ষ্য কৰি গায়নে? গানটো ভালপাওঁ গাইছো।"

বিমলে মোৰ মনৰ অৱস্থা বুজি কলে "এশবাৰ কওঁ। গাওঁতাই তাৰ গান এটাক নহয় এটাক উদ্দেশ্য কৰি গায়। ভক্তই ঈশ্বৰক লক্ষ্য কৰি, লৰাই তাৰ ওমলা বস্তুক লক্ষ্য কৰি আৰু ডেকা-গাভৰুৱে গায় সিহঁতৰ মনত শান্ত্বনা দিবলৈ প্ৰণয়ৰ গীত।"

মনত ভয় হল জানোচা বিমলৰ কথাৰ হেঁচাত হৃদয়ৰ প্ৰকৃত গোপন কথা ওলাই পৰে। কথাৰ ধাৰ আনপিনে

ঘুৰাই আনি কলো "থ'-থ' তোৰ 'লেক্‌চাৰ'খন, পাঁচ ছয়-বছৰীয়াৰ পৰা স্কুলত 'মাষ্টৰৰ' লেক্‌চাৰ, ঘৰত আই-বোপাই গুৰুজনৰ 'লেক্‌চাৰ' আৰু সভাই-সমিতিয়ে সমজুৱাৰ লেক্‌চাৰ। এই 'লেক্‌চাৰৰ' উপদ্ৰৱত ঘৰ এৰি কোনোবা দিনা বনবাসী হব লাগিব হেন পাইছোঁ। এই তহঁতৰ 'লেক্‌চাৰে' বৰ্ত্তমান কুৰি শতিকাত অনধিকাৰ প্ৰবেশ কৰি বোৱাৰী জীয়ৰীৰ শোৱনি ঘৰতো সোমালগৈ। শুন বাৰু গান এটাকে, একেবাৰেই 'তাজা'—দিল 'চৰচ্' হৈ উঠে।

"তোৰ গান বন্ধ কৰ। দিনদুপৰীয়া তোৰ হাৰমনিয়মৰ 'ভে-ভো পোঁ-পা'খন ভাল নেলাগে। তাৰ সলনি কিয় আহিছো তাকে সোধ। মই ইয়াত বহি থাকিবলৈ অহা নাই।"

"তই মোৰ ইয়ালৈ আহিবিয়েই।" এই বুলি তাৰ উত্তৰলৈ বাট নেচাই হাৰমনিয়মৰ "বে'লটো জোকাৰি আৰম্ভ কৰিলো "হেৰ বলিয়া নয়ন ভৰি ভৰি চা, বলিয়া নয়ন ভৰি ভৰি চা..."।

"সুন্দৰ"—গান শেষ হোৱাৰ লগে লগে বিমলৰ মুখত ওলাল "অতি সুন্দৰ বসন্ত! তোৰ নামটো যি দিছিল তাৰ অলপ বাহাদুৰী আছে। মই কিয় আহিছো জান? সিটো ৰবিবাৰলৈ মহিলা সন্মিলন। সদৌ অসম নহলেও সদৌ শিৱসাগৰীয়া বুলিলেও অতিৰঞ্জিত নহয়। তোক এটা কামৰ নিমিত্তে খাটনি ধৰিবলৈ আহিছো।"

আচৰিত হৈ সুধিলোঁ, "খাটনি! তাকে আকৌ মোক? বোধকৰোঁ চকী বেঞ্চ কেখনমান পাৰি দিবলৈ; সেই কথাটোৰ নিমিত্তেই নো এই দুপৰীয়াখন ধাপলিয়াই আহিব লাগিছিল নে? পিছেপৰেও কোৱা হলে নহল-হেঁতেন জানো?"

"কথাই কথাই ঠাট্টা? তোৰ গাত তাম্‌চা লাগিছে পিছেপৰেও কৰিবি।" এই বুলি বিমলে জেপৰ পৰা দুখন কাকত উলিয়াই মোৰ হাতত দি কলে, "এইকিটা গান-কোনে লিখা? একেবাৰেই নতুন নহয় নে?"

কাকতকিখনৰ আখৰকিটাত চকু পৰা মাত্ৰকে বুজিলো বিমলে কোনোবা সময়ত মোৰ প্ৰবন্ধৰ বহীখনৰ পৰা গানৰ পাত দুটা ফালি নিছে। মনে মনে তালৈ বৰ খং উঠিল; কিন্তু উঠিলে কি হব? ডাঙৰ মানুহৰ লৰা—টান কথা কব নোৱাৰি। মনৰ খং লাহে লাহে মনতে মাৰ নিয়াই সুধিলো, "যাৰে লেখা নহক তাত মোৰ কি? গানকিটা বোধ কৰোঁ নতুন।"

"নতুন নহয় কি পুৰণা? বুজিছ নহয় এতিয়া তই গানৰ লিখাৰু কোন? যি এনে গান লিখিব পাৰে সি গাব আৰু লোকক শিকাবও পাৰিব। আজি গধূলি ৭ বজাত মোৰ তালৈ যাবি; তাতে এই গানকেইটা শিকাব লাগিব। আৰু..."

তাৰ মুখৰ কথা কাঢ়ি সুধিলো, "অৰ্থাৎ মহিলা সন্মিলনত গাবলৈ নহয় জানো? কাক শিকাব লাগিব?"

"যাৰ উদ্দেশ্যে এই দিন-দুপৰত পাটীত পৰি অথনিৰে পৰা চিঞৰি মৰিছ তাকে। যাবি নে নাযাবি, ক?" কিছুপৰ টলকা মাৰি আকৌ কলে, "ভাবিব নেলাগে, ওলা। তোক এৰি থৈ যাবৰ হুকুম নাই; এৰি যাব নোৱাৰোঁ।"

পেটে পেটে বিমললৈ খং উঠিল। ভাবিলো কিয় ই এটা নিৰীহ প্ৰাণীৰ ওপৰত ইমান জোৰ-জুলুম কৰে। ফুটাই কলোঁ "বিমল! তোৰ এই ভাৰ লবলৈ মই অপাৰগ। তহঁতৰ ইয়াত ভাল গাব বজাব জনা মানুহৰ অভাৱ নাই। অন্য ঠাইৰ মানুহ মই, পেটৰ দায়ত চাকৰি কৰি কোনোমতে পেটে-ভাতে খাই আছোঁহি; মোক সোধে কোনে? তহঁতেই যি অলপ-অচৰপ মৰম কৰহঁক। তোৰ নিজা কাম হোৱা হলে কথাই নাছিল; কিন্তু ৰাজহুৱা কামত হাত দিবৰ শক্তি ঈশ্বৰে মোক নিদিলে আৰু মোৰো তেনে ইচ্ছা নাই।"

উত্তেজিত হৈ বিমলে কলে "কিয় ইচ্ছা নহব? সদাই তই ইয়াত আমাৰ পৰা আঁতৰি থাকিব পাৰিবি নে? পৰেশো অইন ঠাইৰ মানুহ নহয় জানো? সি ইয়ালৈ অহা তোতকৈ দিনচেৰেক পিছহে, তথাপিও সি ক্লাব, টি-পাৰ্টিত আগৰণুৱা হৈ ঘূৰি ফুৰে। তই অকল গান শিকালেই নহব, গধূলি দাতাকৰ্ণৰ 'প্লে' হব; কৰ্ণৰ পাৰ্ট তোৰ নিমিত্তে বাছি থোৱা হৈছে, আপত্তি কৰিলে নচলিব। বোধ কৰোঁ নিজৰ গপত ওফন্দি নিজৰ দৰ বঢ়োৱা হৈছে।"

বুজিলো বিমলে বেয়া পাইছে। সি যদিও ডাঙৰ মানুহৰ

লৰা তথাপি সি মোক বৰ ভাল পায়। কলোঁ, "নহয় বিমল! তই ভুল বুজিছ। তোক যদি শিকাব লাগে এটা নেলাগে দহোটো গান শিকাব পাৰো; কিন্তু এনেকুৱা ৰাজহুৱা সভাত গাবলৈ শিকাব ভয় হয়। ভাবি চা, যদি ভাল হয় কথাই নাই; কিন্তু ক'ৰবাত যদি অলপমানহে বেয়া হয় তেতিয়া মানুহে অকল মোকে দোষি নেৰিব তোৰো বদ্‌নাম হব।"

"'কুচ পৰোৱাই' নাই। ভাল বেয়া সেইটো মোৰ বিবেচ্য তোৰ নহয়, তাক পিছে-পৰেও কৰা যাব। এতিয়া পিন্ধি উৰি ওলা। তোক এৰি থৈ গলে তই কেউপিনে মাটি কৰিবি।" এই বুলি সি নিজেই উঠি গৈ ওচৰৰ আলনা দালৰ পৰা পাঞ্জাবীটো নমাই আনি মোৰ হাতত দিলেই, অগত্যা যাবলৈ মান্তি হলো। সি আকৌ ৰিঙ্গিয়াই কানাইক মাতি কলে "কানাই! গধূলিকৈ ককাইদেউৰ নাহে। তই অকলৈ থাকিবলৈ ভয় নকৰ নহয়?"

বিমলে বঢ়িয়াকৈ জানে মই মাজে-সময়ে ঘৰলৈ আহিলে কানাই তাত অকলৈয়ে থাকে। তাত আৰু মোৰ মাতিবলৈ ঠাই ক'ত? পিন্ধি-উৰি যাবলৈ ওলালো। আনেক ঘূৰি পকি অনেকৰ ঘৰত তামোল ধপাতৰ জুতি লৈ সন্ধিয়া লাগি ভাগোঁ ভাগোঁ হওঁতে বিমলৰ ঘৰ পালোঁ।

দিনৰ দহবজাৰ পৰা পাঁচ বজালৈকে অফিচৰ হাড়ভগা খাটনি; সন্ধিয়াৰ পৰা ৰাতি বাৰটা এটা বজালৈ বিমলৰ ঘৰত গানৰ "মজলিচত" ওস্তাদি কৰা, পুৱাৰ ছোৱাত কানাইৰ ঘৰুৱা কামত চক ফুৰুৱা—এয়ে হল বৰ্ত্তমান মোৰ জীৱনৰ দৈনন্দিন কাম! তাৰ বাহিৰে মোৰ আন ভাবনা-চিন্তা কৰিবলৈ অৱসৰ নাই।

২

আজি সভাৰ দিন। শিৱসাগৰ পুখুৰীৰ পূবফালে সভামণ্ডপ পাতিছে। মণ্ডপৰ শিখৰত গেৰুৱা ৰঙৰ সাম্য নিচান ফিৰফিৰকৈ বতাহত উৰিব লাগিছে। কমিটিৰ সভ্যসকলে মণ্ডপৰ দুৱাৰমুখত থিয় হৈ অভ্যাগতসকলক আদৰ অভ্যৰ্থনা কৰি বহুৱাইছে। দূৰৰ গাৱঁৰ শাখা সমিতিৰ অনেক প্ৰতিনিধি মহিলা আহিছে। বুঢ়াবুঢ়ী, ডেকা-গাভৰু, লৰাছোৱালী সকলো আহি গোটেই জুৰি পৰিছে। মানুহৰ ভিৰত কেনিও ওলাবৰ সন্ধি নাই।

বিমল কামত ব্যস্ত; প্ৰত্যেক সভ্যকে প্ৰত্যেক কামৰ বিষয়ে উপদেশ দি ঘূৰি ফুৰিছে। তাৰ কোষ্ঠীত থিৰেৰে থাকিব পৰা গ্ৰহ ৰাশিচক্ৰত ক'তো নবহিল। হাতত কাম পালেই সি আৰু বহি থাকিব নোৱাৰে। ভাত পানী এৰি সেই কামৰ নিমিত্তেই ঘূৰি ফুৰিব।

বেলি দহোটা বাজে। সভাপতি আহি মণ্ডপৰ প্ৰধান দুৱাৰত উপস্থিত। "জয় অসম মাতৃৰ জয়" ইত্যাদি বোলে আকাশ ভেদি গল আৰু ভেদি গল মোৰ অন্তৰ। অলপতে মোৰ পাল পৰিব—এই কণ কণ আঠ-দহবছৰীয়া ছোৱালীকিজনী যদি "নাৰ্ভাচ" হৈ সকলো পণ্ড কৰি দিয়ে! সিদিনাৰ দৰে যদি মাজতে তাল ভাঙ্গি খেপুজেপুখন লগাই দিয়ে তেতিয়া মানুহে মোক কি বুলিব? মুখত মাত বোল নাই, যেন বলি দিবলৈ নিয়া ছাগলীটোৱে বেবাই বেবাই শেষত বলিকটিয়ালৈ অপেক্ষা কৰি আছে। সেহাই সেহাই মাতিলো "মাই! এই মাই!"

ওচৰৰে চকীত বহি থকা দহ কি এঘাৰ বছৰীয়া এজনী ছোৱালী মোৰ ওচৰ চাপি আহি সুধিলে "দাদা! কি হৈছে আপোনাৰ? কিবা অসুখ হৈছে নেকি?"

"নাই হোৱা, এনেয়েহে মনটো বেয়া লাগিছে। গান গাবৰ সময় পাইছেহি। সিদিনাৰ দৰে ক'ৰবাৰ এডোখৰ আনি ক'ৰবাত নেগাবা। ভয় লাগিব নে কি?" অকণমান ছোৱালী দেহি—সেই সময়ত মোৰ যে মানসিক অৱস্থা কি, তাই কি বুজিব! তাই কলে—"দাদা! আমি কিয় ভয় কৰিবলৈ যাম? সৌৱা বৌটী, অমী, স্বৰ্ণবাইদেউৰ বৌটীয়েক আছে, আপুনিও ওচৰতে আছে; কি ভয় কৰিম? ক'ৰবাত গান ভুল হলে আপুনি শুধৰাই দিব." মনলৈ অলপ সাহ আহিল। বুকৰ মাজৰ ধিপধিপনিটোও যেন অলপ পাতলিল।

সমজুৱাৰ হাতচাপৰি আৰু জয়ধ্বনিৰ মাজেদি সভা-পতিয়ে আহি আসন গ্ৰহণ কৰিলে। বেছ দিব্য চেহাৰা সৌম্য উজ্জ্বল কান্তিৰ পুৰুষ; দেখিলেই ভক্তি জন্মে। বিমলে হাতৰ ইঙ্গিতেৰে কাম আৰম্ভ কৰিবলৈ কলে।

সমুখৰ পৰ্দা চকুৰ পচাৰতে দাং খালে। হাৰমনিয়মৰ প্ৰথম সুৰ বাজি উঠিল। ছোৱালীকিটিয়েও তাইৰ'তৰ কোমল কণ্ঠ মাত হাৰমনিয়মৰ প্ৰত্যেক পৰ্দাৰ লগত উঠা-নমাকৈ প্ৰথমেই আৰম্ভ কৰিলে—মোৰ সেই অতি আদৰৰ গানটি—

প্ৰীতি মলয়া বইছে নীৰেৰে,
উথলি উঠিছে জগত প্ৰাণ।
আজি শুভক্ষণে মিলো প্ৰাণে প্ৰাণে,
ধৰো আহা সবে মধুৰ গান॥ (ইত্যাদি)

গানৰ পিছৰ অন্তৰাৰ কোৰাছ ঘুৰাই গাই গান শেষ কৰিছে। কেউপিনে হাততচাপৰিৰ বোল উঠিল। মাৰ নেযায়হে নেযায়। কোনোৱে "এন্ধৰ", কোনোৱেৰা বাঃ বাঃ দিছে। পৰ্দা পৰিল। বিমলে পিঠিত চপৰিয়াই কলে, "চাবাইচ নাম কৰিছ ভাই! নাম কৰিছ!! এইদৰে যদি পিছৰ কিটাও শেষ কৰিব পাৰ তেন্তে মই এতিয়াই সকলো সমজুৱাকে সাক্ষী কৰি ভবিষ্যদ্বাণী কৰি থওঁ, তোৰ এটি মূল্যৱান বস্ত্ৰ লাভ হব। কাকত পেন্সিল নাইনে লগত? লিখি ৰাখ, নহলে পিছত পাহৰি যাবি।" এই বুলি কৈয়ে বিমল ওলাই গল।

পৰ্দাৰ বাহিৰত মন্ত্ৰমুগ্ধ শ্ৰোতৃমণ্ডলীৰ ঘন ঘন হাত চাপৰিৰ মাজত ওজস্বিনী ভাষাত বক্তৃতা হৈছে অনেক বিষয়ে—দেশৰ সমাজ, সম্প্ৰদায়, শিক্ষা, সংযম, দয়া-দাক্ষিণ্য ইত্যাদি। মনটো হাস্যফায় কৰি উঠিছে। কি কবো? এবাৰ ভাবিছো, ওচিয়েই যাওঁগৈ নেকি? আকৌ ভাবিলো নহয় অন্যায় হব—বাহিৰলৈ ওলাই আহিছো।

মাজে মাজিলে "দাদা! আমাৰ বৰ পিয়াহ লাগিছে।"

লাগিবই তো; দিনটো একেই গৰম, তাতে ইমান মানুহৰ ঠেলা-হেঁচা। পানী ওচৰৰ এটা তামৰ "প্ৰিজাৰভাৰত" ভৰি আছে। কিন্তু থাকিলে কি হব? ভাদমহীয়া বৰত সি উতলি থকা নাই যদিও কুছমীয়া হৈ আছে। থোৱাটো একোবাৰেই অসম্ভৱ। মাজে আকৌ মাতিলে, "দাদা!"

ওচৰেদি এটা লৰা গৈছে। বুকত কামিজৰ ওপৰত এপাহ কাপোৰৰ সৰু গোলাপ দুল। ভাবিলো এখেত "ভলণ্টিয়াৰ"। ওচৰলৈ মাতি আনি কলো "মইনা! কেই বটলমান চোডা পানী আনি দিব নোৱাৰা নে? এই ছোৱালী কেজনীৰ বোলে বৰ পিয়াহ লাগিছে।"

লৰাটো কিছুপৰ তৰধ খাই বৈ মোৰ গাত পাটৰ কিম্বা মুগাৰ পঞ্জাবী নেদেখিয়েই নেকি, নাই কিবা অন্য খুঁত দেখিছে ভোৱভোৱাই কৈ গল "এঃ! বৰ মানুহৰ বেটা আহিছে নেদেখিছা? চোডা খায়নে কি খায় আনি লবৰ হাত নাই? কোনোবা কাৰবাৰ গোলাম আছে নেকি ইয়াত?"

মন বিতৃষ্ণাত ভৰি উঠিল। মাই ওচৰতে আছিল, কলে "দাদা! আহক আমি নিজেই গৈ খাই আহোঁহক। লোকৰ খোচামোদ কৰাৰ দৰ্কাৰ কি?"

মাইৰ কথা শুনি ভাবিলো, ঠিক কথা। মোৰ সেই লৰাটিক সেইদৰে কোৱাই অন্যায় হৈছিল। মাইক কলো "আহা মাই! তোমালোকো আহা স্বৰ্গ! আকৌ গান গাবৰ সময় পৰেহিতে লাগে।"

ওচৰতে দোকান। পানী খাই খুৰি আহি আগৰ ঠাইত বহিছো এনেতে পিছৰ পৰ্দা ঠেলি এগৰাকী মহিলা মোমাই মাইক মাতি লৈ গল। ভাবিলো, কোন এওঁ কবৰাত দেখো দেখো যেন লাগিছে। বয়স যদিও দুকুৰি পাঁচ কি ছয় এনেকুৱা তথাপি গাৰ লাৱণ্য এতিয়াও যোৱা নাই। মনত পৰিল মোৰ বৌটাৰ কথা। অমিয়ক সুধিলো "অমি! কোন এখেত?"

"কাৰ কথা সুধিছে দাদা?"

"এই যে মাইক মাতি লৈ গল।" মোৰ কথাত আঁহি কেইজনী ছোৱালীয়ে হাঁহি দিলে। অমিয়ে কলে "কি দাদা! আপুনি আমাৰ বৌটীক চিনি নেপায়?"

মনে মনে লাজ পাই কলো "এবা, চিনি নোপোৱাও দেখিছে সুধিলো। তোমালোক আটাই কেউজনীক জানে আগেয়ে চিনি পাওঁ, নাই তোমালোকেই মোক চিনি পোৱা? এই কেইদিন মাজতে মাথোন চিনাজনা। আজি পৰা আকৌ তোমালোকক দেখাকে পাওঁনে নোপাওঁ কোনে জানে! আজিৰ দৰে জানো পৃথুবী পাবত বহি গান গাবলৈ আহিবা—ময়েবা তোমালোকক শিকাবৈ যাম?"



উন্মুক্তা

লক্ষ্মীবিলাস প্রেস লিঃ

স্বৰ্ণই কলে "কিয় দাদা! আমাৰ ঘৰলৈকো আপুনি নেযাবনে?"

মাই ঘূৰি আহিছে। দূৰৈৰ পৰাই তাই মোলৈ চাই হাঁহি হাঁহি আহিছে। মনত খুদুৱনি লাগিল। মাকে মোৰ কথা কিবা সুধিছিল হব পায়। তাই ওচৰ পোৱাহিমাত্ৰকে সুধিলো "কি হল মাই! বৰকৈ হাঁহি আহিছা দেখোন?"

তাই মোৰ হাতত দুখন তামোল গুজি দি কলে বৌটীয়ে আপোনাৰ কথা সুধিছিল। আপোনাৰ ঘৰ—"

এনেতে বিমল সোমাই আহিল। মোৰ কথানো মাকে কি সুধিছিল, তাক সুধিবৰ সময় নেপালো। বিমলে তৰলাজোৰ ওচৰ চপাই লৈ কলে "আৰম্ভ কৰা—আৰম্ভ কৰা।"

এইবাৰ ভৈৰবীৰ মধুৰ আলাপন। সন্মুখৰ পৰ্দ্দা নিমিষতে উঠি গল; ভৈৰবীৰ স্নিগ্ধ করুণ সুৰৰ ছেৱে ছেৱে কণ কণ ছোৱালীকিটীয়ে আঁঠু লৈ হাত যুৰি গালে:—

হে ভগৱান, হে ভগৱান, হে ভগৱান
নেলাগে কৰিব নেলাগে স্ৰজিব .
বিৰাট বিপুল বিশ্ব মহান। (ইত্যাদি)

কেনিও কাৰো মাত নাই; সকলো বাক্‌শক্তি ৰহিত হৈ মন্ত্ৰমুগ্ধ সাপৰ দৰে চাই আছে। মাত্ৰ মোৰ হাৰমনিয়ম, বিমলৰ তবলা আৰু সেই খুদ্ খুদ্ ছোৱালীহঁতৰ কঁপা কঁপা মাত। ভৈৰবীৰ মধুৰ হিল্লোল বতাহত ক্ৰমে লীন হৈ আহিল। পৰ্দ্দা জাপ খালে, গানৰ অন্তত "ৰিচেপ্‌শ্যন্" কমিটিৰ প্ৰধান সভ্য বিমলে মঞ্চত উঠি সকলোকে হাত যুৰি গধূলিৰ 'দাতাকৰ্ণৰ', অভিনয়ত উপস্থিত থাকিবলৈ সাদৰ আহ্বান জনালে। হাতচাপৰি আৰু জয়ধ্বনিৰ ৰোলত সেই দিনালৈ সভা ভঙ্গ হল। ময়ো যেন ৰক্ষা পালো।

কেউপিনে কোলাহল। মানুহৰ ঠেলাত ওলাবৰ সাধ্য নাই, ইটোৰ ওপৰতে সিটো। হাতত "চাৰ্কেল"খন লৈ অলপ আঁতৰি আঁতৰি ওলাই আহিছো। ইফালে সিফালে বিলমক লগ পাওঁ বুলি চকুকিটাৰে চাই গৈছো। দূৰৈত দেখিলো মাই মোৰ ফালে কোবাকুবিকৈ আহিছে। সুধিলো, "মাই কি হল—কিবা এৰি গলা নেকি?"

তাই কলে "নাই এৰা। আপুনি নেযাব, ইয়াতে অলপ ৰব। আমাৰ মটৰ ইয়ালৈকে আহিব, একেলগে যাম।"

উচাপ খাই উঠি সুধিলো "কিয়, মোৰ চাৰ্কেল আছে, তাতে যাব পাৰিম। গধূলিকৈ আকৌ ষ্টেজলৈ আহিব লাগিব। এতিয়া গলেহে যদি সময়ত ওলাবহি পাৰো।"

ভো-ভো—হা-হে—ক্কৰৰ-কৰ শব্দ কৰি সাউত কৰে এখন মটৰ আহি ওচৰতে ব্ৰেক টানি বল। এজন আদহীয়া মানুহ মোটৰৰপৰা নামি আহি মাইক গাড়ীত তুলি দি মোক কলে "বোপা! বাইছিকলখন থৈ তুমিও উঠা। মধু! বাবুকা বাড়ী মালুম হ্যায়? ইচকা বাগি ৰাখকে আও।"

চেলাম দি মোৰ হাতৰপৰা চাৰ্কেলখন লৈ মধুৱে কলে "হা হুজুৰ! মালুম হ্যায়। দোচ্‌ৰা পাড়ামে হেৰেন বাবুকা নজিপমে যো বাড়ী থা।"

"হা লে যাও।" এই বুলি ভদ্ৰলোকজনে আকৌ মোক কলে "উঠা বোপা!" মায়ে মাতিলে "আহক দাদা!" মোৰ অজ্ঞাতসাৰে ভৰি দুখন আগবাঢ়ি গল। মটৰত উঠি বহিলো। 'চোফাৰে' ষ্টাৰ্ট কৰি হৰ্ণ বজালে। বিমল ক'ৰবাৰ পৰা ফোপাই জোপাই লৰি আহি মটৰত উঠিল।

"হয় এখেতৰ ঘৰ গোলাঘাটত। তাহানিৰেপৰা মোৰ লগত চিনাকি—অকৃত্ৰিম বন্ধু: গানবাজনা আৰু খেলাত বৰ পাকৈত।" এই বুলি মোৰ ফালে বিমলে কেৰাহিকৈ চালে।

উস্ ইয়াৰ অত্যাচাৰত আৰু থাকিব নোৱাৰি! ভদ্ৰলোক এজনৰ আগত মোৰ সাক্ষাতে মোৰ বিষয়ে বক্তৃতা আৰম্ভ কৰি দিছে। খং উঠি তাৰ পিঠত চিকুট এটা মাৰি দি মোৰ উপস্থিতি তাক সোঁৱৰাই দিলো। সি সেইপিনেই তাপ মাৰিলে। মটৰখনে 'ভো-ভো' কৰে আলিবাটৰ ধূলি উৰাই গুচি গল।

৩

আজি ষষ্ঠী। গধূলিকৈ গোসানী পাটত তুলিব। আজিৰ পৰা অফিছ বাৰদিনলৈ ছুটী। বেগাবেগিকৈ

কামত ধৰিছো, কাম শেষ কৰিব পাৰিলে গধূলিৰ গাৰীতে ঘৰলৈ যাম। কানাইক আহোতে কৈ আহিছো বিছনা-পত্ৰ সকলো ঠিকঠাক কৰি থবলৈ। ভাত আৰু আজি গধূলিকৈ খোৱা নহব।

বৰচাহাবৰ আৰদালি আহি খবৰ দিলে—চাহাবে মাতিছে। যৰে কাম ততে এৰি চাহাবক চালাম দিলোগৈ। চাহাবে কলে "আপুনি ৮ দিনলৈ হেড্ কোৱাৰটাৰ এৰি যাব পাৰে।" ৰং লাগিল।

উভতি আহিছো এনেতে বাটতে এটা বাৰ-চৈধ্য বছৰীয়া লৰাই এখন চিঠি দিলে। মেলি চাই দেখো মায়ে লেখিছে, "দাদা! পূজাত বোধ কৰো ঘৰলৈ নেযায়। গধূলিকৈ এবাৰ আমাৰ ঘৰলৈ আহি যাব।" তাইৰপৰা মাজে সময়ে এনেকুৱা নিমন্ত্ৰণৰ চিঠি পাওঁ। পৰাপক্ষত নিমন্ত্ৰণ ৰক্ষাও কৰো। তাই এতিয়া ডাঙৰ হৈছে যদিও মোৰ আগত নুলুকায়। আগৰ দৰেই দাদা বুলি ওচৰ পায়হি। চিঠিখন পঢ়ি শেষ কৰিছো; মনত হল যেন কিবা এটাই বুকুখন খুন্দিয়াখুন্দি কৰি কঁপাই তুলিছে। বোধ কৰো ঘৰলৈ যোৱা প্ৰবল ইচ্ছাত বাধা পাই। আজি অনেক কাম, বাজে কথাত সময় নষ্ট কৰিবৰ অৱসৰ নাই। মোৰ ওচৰতে বহি আন আন কেৰাণীবিলাকো নিজৰ নিজৰ কামত ব্যস্ত। সকলোৰে মুখত আনন্দৰ চিন—বোধ কৰোঁ মোৰেই দৰে হাড়ভগা খাটনিৰপৰা কিছুদিন জিৰণি পাব বুলি।

কাম কৰি গৈছো, কেনিও মূৰ দাঙ্গি চাবৰ সময় নাই। ঘটং ঘটংকৈ কাছাৰিৰ বৰকাঁহখনত তিনটাৰ কোব পৰিল। অফিচ সামৰি আহিবলৈ ওলালো। দূৰৈত মোক চিঠি দি যোৱা লৰাটো বৈ আছে। ভাবিলো ইয়াৰ হাততে মাইলৈ এখন চিঠি দিওঁ। তাক ওচৰলৈ মাতি আনি সুধিলো "মইনা! তুমি ক'ত থাকা?"

এটা হাঁহি মাৰি লৰাটোৱে কলে "দাদা! মই মাইহঁতৰ ঘৰতে থাকো। মাইৰ দেউতাক মোৰ মোমাইদেউ হয়।" তাক কলো "তুমি অলপ ৰবা। এখন চিঠি দিওঁ, লৈ যাবা।"

অফিচ সোমাই মাইলৈ লিখিলো "মাই! পূজাত ঘৰলৈ যাম। গধূলি তুমি মাতিছা হয় কিন্তু যাব নোৱাৰিম; সেইবাবে অসন্তোষ নকৰিবা।" চিঠিখন ভাজ কৰি লৰাটোৰ হাতত দিলো। সি গুচি গল। অফিচৰ ডাঙৰ ডাঙৰ আলমাৰীকিটাৰ তলাবোৰ আজুৰি বন্ধ হৈছেনে নাই পুনৰ এবাৰ চাই লৈ কান্ধত ছাতিটো পেলাই ঘৰঘুৱা হলো।

গধূলি হল। এটোপা চাহ আৰু কেইডোখৰমান শুকান ৰুটী চোবাই কানাইৰ হাতত চামৰাৰ 'চুটকেচটো' দি ষ্টেশ্যনৰ ফালে কোবাকুবিকৈ খোজ ললো। ৰেল আহিবলৈ এতিয়াও কুৰি মিনিট বাকী। সৰু ষ্টেশ্যন, আনদিনা যাত্ৰীৰ সমাগম নাই। কিন্তু আজি অনেক প্ৰবসুৱা অসমীয়া বঙ্গালী ভদ্ৰলোকে ভৰিত নতুন জোতা পিন্ধি মচমচকৈ প্লেটফৰ্ম্মত ইফালৰ পৰা সিফাললৈ খোজ চলাই ৰেল আহিবলৈ বাট চাই আছে। ষ্টেশ্যন মাষ্টৰে চিঞৰ মাৰিলে, "আৰে ৰামায়া! সিগ্ন্যাল দাও, গাড়ী ছোড়া" ৰামেয়াই হাতত লণ্ঠন লৈ নিজৰ কামত গুচি গল।

মনটো আজি বৰ গধুৰ গধুৰ লাগিছে। মাইৰ অনুৰোধ, বিমলৰ অনুৰোধ সকলো কাতি কৰি ঘৰলৈ আহিছো, হয় তো সিদিনালৈ ঘূৰি আহিলে অকৃতজ্ঞ বন্ধু বুলি বিমলে উভতিয়ে নেচাব, মায়ে মুখেৰেই নেমাতিব। ইত্যাদি নানা ৰাক্ষসী ভাবনা আহি মনটো গিলি পেলাবলৈ উপক্ৰম কৰিছে। এনেতে কানাইক মোৰ ফালে লৰি অহা দেখি সুধিলো "কি হল কানাই?"

কান্দোমুৱা কানায়ে কলে "ককাইদেউ! বেগটো চুৰি হৈছে। চুৰি নহয় ডকাইটি। মোক হেঁচা মাৰি ধৰি হাতৰপৰা কাঢ়ি লৈ গল।"

সৰ্ব্বনাশ! তাতেই যে মোৰ সৰ্ব্বস্ব! টিকিট আৰু বাজে খৰছৰ নিমিত্তে ৰখা কেটকামানৰ বাহিৰে মোৰ হাতত এপইছাও নাই। বেগটোত নাই কমেও পাঁচশ টকাৰ নোট, নগদ টকা পচিশটা আৰু কেইযোৰমান ধুতি আছিল। কি কৰো? পুলিচত খবৰ দিবলৈ গলে ট্ৰেণ ধৰিবহি নোৱাৰো।

আঁৰি থোৱা বৰ লোহা এদালত কোবাই পইণ্টমেনে জাননী দিলে "যাত্ৰীহঁত, সাৱধান! টিকট কিন, টিকট কিন।" এপিনে বেগৰ খবৰ লোৱা তাকো পোৱা আশা নাই, আনপিনে ৰেল পায়হিহে। বেগৰ আশা এৰি ঘৰলৈ যোৱাটোকে ঠিক কৰিলো। মানুহৰ ভিৰত টিকিট লবৰ সাধ্য নাই। কেৱে কৈছে, "বাবু! কলকটা।" কেৱে কৈছে "গুৱাহাটী, বাবু যোৰহাট।" ভিতৰত টিকিট বাবুৰ জন্‌জন্ ঘটৰ-ঘটৰ শব্দ, বাহিৰত যাত্ৰীৰ কোলাহল আৰু মোৰ অন্তৰত হায় হায় ধ্বনি তিনিওটা মিলি যেন এক বিকট হাহাকাৰ সৃষ্টি কৰিছে।

"কি হে ভায়া ফাঁকি দি ঘৰলৈ যাবলৈ মতলব পাতিছিলা! ঘৰত বাট চাই আছো, আহিব আহিব; নাই। তোৰ ঘৰলৈ আহি দেখিলো ঘৰত কোনো নাই, দুৱাৰত তলা চাবি বন্ধ। তাৰপৰাই দিলো লৰ ষ্টেশ্যনৰ ফাললৈ। ইচ্ অলপ 'লেট' হোৱা হলেই পলাল হেতেন।" এই বুলি মানুহৰ ভিৰ ঠেলি বিমলে কৰবাৰ পৰা আহি মোৰ হাত এখনত ধৰি টানি বাহিৰলৈ উলিয়াই আনিলে।

অসহ্য হল। এচাৰ মাৰি হাতখন একৰাই আনি কলো "চাওঁ এৰি দে। কিয় তইঁতে মোক ইমান অত্যাচাৰ কৰ? তইঁতৰ তাপত গধূলি পুৱা এমুঠি সুখেৰে খাব নোৱৰাত পৰিলো।"

বিমল 'নাচোৰবান্দা'। মই এখোজ পিছ হুঁহকি আহিবলৈ ধৰোতেই খপকৰে হাতখনত আকৌ খামোছ মাৰি ধৰি কলে "শুনি যা এটা কথা—"

'কু-কু-কু' কৰি চাৰিটামান দীঘলীয়া উকি মাৰি ৰেল ষ্টেশ্যন পালেহি। পইণ্টমেনে যাত্ৰীক সাৱধান কৰি দিলে "শিৱসাগৰ তিন মিনিট"। ফেৰিৱালাবোৰে চিঞৰিলে" পাণ বিৰি দিয়াছলাই।" সৰু মাতেৰে কেতবোৰে চিঞৰিলে "চাই কমলালেবু, চাই পুৰি, সন্দেশ, গজা।" গৰগৰীয়া মাতেৰে ডঢ়ীয়া হিন্দুস্থানী এটাই সকলোৰে মাত তল পেলাই চিঞৰিলে "ঠাণ্ডা বৰফ, ঠাণ্ডা বৰফ।" এই আটাইবোৰ লাগ-বান্ধ নোহোৱা চিঞৰ বাখৰ লগ লাগি এটা প্ৰকাণ্ড হাই-উৰুমিৰ সৃষ্টি হল।

বিমলে কোমল অথচ গহীন ভাবেৰে মাতিলে "বসন্ত! শুনি যা—যোৱাৰ আগতে মোৰ কথালৈ এবাৰ কাণ কৰি যা।"

ঘূৰি চাই দেখো বিমলৰ চকুৰ পৰা টপটপ কৰি পানী পৰিছে। কান্দিছে নে কি? ওচৰলৈ চাপি আহি সুধিলো "কি হল তোৰ?"

বিমলে জেপৰ পৰা উৰমালখন উলিয়াই চকু দুটা মোহাৰি কলে "ইচ্—ইঞ্জিনৰ পৰা কেতখিনি কয়লা গুৰি উৰি চকুত সোমাল।"

"মিছা কথা। মই দেখা নাই? কি হল তোৰ?"

বিমলে আকৌ চকু মোহাৰি কলে "কৈছো নহয় চকুত কিবা এটা সোমাল বুলি।"

বুজিলো বিমলে তাৰ কথা নাৰাখি গুচি অহা বাবে অসন্তোষ কৰিছে। আকৌ সুধিলো "তই নো আজি মোক ঘৰলৈ যাবলৈ ইমান বাধা দিছ কিয়? কিবা কাম আছে নেকি?"

"কম বিপদত পৰি তোক বাধা দিবলৈ আহিছো বুলি নেভাবিবি। কালিৰ পৰা আমাৰ 'পাব্লিক' ষ্টেজত থিয়েটাৰ হব। কাইলৈ 'আহোমৰ দিন', পৰহিলৈ 'চন্দ্ৰগুপ্ত' আৰু নবমীত 'নেপালৰ ৰাজকন্যা'। নবীনকেই তিনিওটো থিয়েটাৰৰ 'মেইন পাৰ্ট' দিয়া আছিল। আজি তিনটা বজাত খবৰ পালো নবীন কলিকতালৈ গৈছে। বাপেকৰ শকত নৰিয়া, নগলেই নোৱাৰে। এতিয়া সেই পাৰ্ট আজি লৈ কাইলৈ ষ্টেজত নামিব পৰা মানুহ আমাৰ শিৱসাগৰত কেইটা আছে? ভাই! চেক্ৰেটৰি পদবী লৈ মই মহা চিন্তাত পৰিলো। আজি এটা মানুহ যোগাৰ কৰিব নোৱাৰিলে মোৰ নাক-কাণ নেথাকে। আটাইৰে ওচৰত হাঁহিয়াতৰ পাত্ৰ হম। তাৰে পৰা তোক বিচাৰি চলাথ কৰিলো। ঘৰলৈ তিনি চাৰিবাৰ মানুহ পঠিয়ালো, নাই। মাইহতৰ ঘৰত আছ বুলি তালৈ গলো, নেপালো। মাইক সুধিলো "দাদাৰ ইয়ালৈ আহিছিলনে?" তাই কান্দো কান্দো হৈ কলে "ইমানকৈ মাতি পঠিয়ালো, নাহিল; ঘৰলৈ গৈছে।" তাৰেপৰা ষ্টেশ্যনলৈ লৰি আহিলো। মোৰ কথা নেৰাখিলেও মাই, আই আৰু স্বৰ্ণৰ অনুৰোধ

পেলাই ঘৰলৈ গলে তোৰ কেতিয়াও মঙ্গল নহব।" এই বুলি সি মোৰ উত্তৰলৈ বাট চাই ৰল।

মনটোত বৰ বেজাৰ লাগিল। তাক কলো "তোৰ পৰা মোৰ আৰু উপায় নাই। তইঁত হৈছ ডাঙৰ মানুহৰ লৰা। টকা আছে, তহঁতক শুৱায়। মই নিচেই গৰীব। চাৰিমাহ সাঁচি সাঁচি যি দুপইছা গোটাইছিলো তাকো চোৰৰ বুকত দিলো। তাৰ উপৰিও পাৰ্টৰ যি কথা কৈছা সি মোৰ দ্বাৰাই একেবাৰে অসম্ভৱ। যি জীৱনত কেতিয়াও মেইন পাৰ্ট কেনেকুৱা লওক ছাৰি দেখাই নাই সি কি নেপালৰ ৰণবীৰ সিংহ হৈ পাব্লিকক সন্তোষ দিব পাৰিব, নাই চন্দ্ৰগুপ্তৰ গুৰু কাত্যায়ন হৈ চন্দ্ৰগুপ্তৰ ভায়েক নন্দক হত্যা কৰাই পাব্লিকৰ চকুৰ পানী উলিয়াব পাৰিব? অসম্ভৱ—একেবাৰেই অসম্ভৱ।"

"পাৰ নোৱাৰ সেইটো মোৰ বিবেচ্য।" এই বুলি বিমলে মাতিলে-"কানাই, তই আমাৰ ঘৰলৈকে যা, আমিও পাছতে গৈছে।"

কানাই গুচি গল। গাৰ্ডৰ হাতৰ ৰঙ্গা লাইট ঘুৰাই নীলা কৰি দিলে। লগে লগে ৰেলখনে আকৌ কেইটামান দীঘলীয়া উকি মাৰি নিমিষতে চকুৰ অদৃশ্য হল। মোৰ যোৱা নহল।

ওৰে ৰাতিটো 'ৰিহাৰ্চল' কৰি বিমলইতৰ বঙ্গলাৰ এমূৰত আছুতীয়াকৈ থকা কোঠা এটাত ঘোৰঘোৰাই শুই আছো। কব নোৱাৰো কিমান পৰ শুলো। হঠাৎ গম পালো—কোনোবাই মূৰৰ কাপোৰখন যেন অলপ টানিছে। ভাবিলো সপোন দেখিছো। অলপ যেন কাপোৰখন চুঁচৰি গৈছে। উঃ কি মস্কিল! যেনিয়েই যাওঁ তেনিয়েই আহকাল। যেয়ে হক নেমাতো। চকুৰ পোৰণিত তত নাই—তাতে আকৌ একেৰাহে তিনদিনলৈ টোপনি খতি, আহিছে আকৌ কোনোবাই আমনি দিবলৈ। এই ভাবি চকু দুটা টানকৈ মুদি শুই আছো। আকৌ এচোচা এবাৰ—দুবাৰ। কাপোৰখন মূৰৰ পৰা গৈ বুকৰ গুৰি পালে গৈ। ভাল আপদে পালে। হাতখন লালে লাহে আনি কাপোৰখন যেনি ডাং খাই গৈছে সেইপিনেই ধৰিলো হাতত থাপ মাৰি। চোৰ ধৰা পৰিল।

চোৰে খিল খিল কৰি হহা দেখি চকু মেলি চাই দেখো মাই। হাত এৰি দিলো। তাই মোৰ বিছনাখনৰ ওচৰতে থিয় হৈ কলে "দাদা! ভাল আপুনি! এই বেলি দুপৰলৈ কোনো মানুহ শুই থাকেনে? আমাৰ তালৈ যাবৰ হলে আপোনাৰ সময় নহল কিন্তু বিমলদাৰ ঘৰত কালিৰে পৰা থাকিবহি পাৰে। মোক ঘৰলৈ যাম বুলি ভুৱা দিলে।" অভিমানত তাই তলমূৰ কৰি থাকিল।

"সঁচাকৈয়ে মাই কালি ঘৰলৈ যাম বুলিহে গৈছিলো..." মোৰ মুখৰ কথা কাঢ়ি নি তাই কলে—"হয় গৈছিল, পিছে ষ্টেশ্যনৰ বাট হেৰুৱাই ইয়াত সোমালহি—আৰু তাত স্বৰ্ণ বাইদেউৰ..."

পাতনিতে বুজিলো তাই কি কব খুজিছে। তাই ভাবিছে স্বৰ্ণৰ কথা। স্বৰ্ণৰ কথামতেই তেওঁলোকৰ ঘৰলৈ নগৈ কালিৰ পৰা ইয়াতে আছো! আনকি মাতিলতো ঘৰলৈ যাম বুলি ফাকি দিলো। কিবা এষাৰ টান কথা কওঁ বুলি ভাবিছো হঠাৎ তাইৰ মুখখনলৈ চকু পৰিল—চকুযুৰি চকুলোৰে উপচি পৰিছে। মুখৰ কথা মুখতে থাকিল। ফুটাই কবলৈ সত নগল। আদৰ কৰি তাইৰ হাত দুখনত ধৰি মাতিলো "মাই!"

অইন ফালে মুখ ঘুৰাই তাই উত্তৰ দিলে "কি কৈছে দাদা!"

"ছিঃ! সাধাৰণ কথা এটাত ইমান বেজাৰ কৰিব লাগেনে? ভাবিছা তোমালোকৰ তালৈ নগৈ স্বৰ্ণৰ কথা মতে ইয়াত আছোহি? সেইটো নেভাবিবা, তোমাতকৈ স্বৰ্ণ মোৰ বেছি আপোন নহয়। কালি সঁচাকৈয়ে বিমলে ষ্টেশ্যনৰ পৰা মোক ধৰি লৈ আহিছে। ওৰে ৰাতিটো টোপনি খতি। এইমাত্ৰ আহি শুইছোঁ। আবেলি নিশ্চয় তোমালোকৰ তালৈ যাম।" এই বুলি আদৰ কৰি তাইক কাষলৈ চপাই আনিলো। মুখলৈ চালো—চকুলো বৈ আহি গোটেই মুখভৰি ডিঙ্গিলৈ বাগৰি আহিছে। আগেয়ে বুজা নাছিলো—তাই মোক ইমান ভাল পায় বুলি। আকৌ কলো "কান্দিছা কিয়? আজি হয় তো মোক অলপ আতৰি যোৱা দেখি তুমি বেজাৰ অভিমান কৰিছা কিন্তু কাইলৈ কি হব ভাবি চাইছা জানো? ডাঙৰ হলা—

আইতা দেউতাৰাই তো সদায় ধৰি নাথাকে। এদিন নহয় এদিন এঘৰলৈ উলিয়াই দিব। তেতিয়া কি মোলৈ মনত পৰিব? তেতিয়া জানো এইবিলাক মনত থাকিব? তোমাক তোমাৰ ভাললৈহে কৈছো, তুমি সকলো কথা পাহৰি যোৱা। একো অসম্ভৱ কথা নহয়, চকুৰ আতৰত থাকিলে সোনকালে পাহৰিবা।"

তাইৰ হাত দুখন যেন অলপ কঁপিছে। মুখখন শেঁতা হৈ উঠিল, ঢলি পকা মজিয়াত পৰি যায় হে এতিয়া। সাবট মাৰি ধৰিলো। কিছু পৰৰ পিছত তাই জ্ঞান পালে, মাতিলো "মাই!"

"কি কৈছে?"

"কিবা অসুখ হৈছে নেকি?"

"নাই—একো অসুখ হোৱা নাই। এনেয়েহে তেনে হৈছিল।"

"এনেয়ে? নাই কব নালাগে, মই সকলো বুজিছো। মাই এতিয়া ঘৰলৈ যোৱা। অকলৈ যাবানে নাই মই থৈ আহিমগৈ?"

'এতিয়া নেযাওঁ, অলপ পিছতহে ঘৰলৈ যাম। কওক, আমাৰ ঘৰলৈ যাব। যাব নে? যদি মোক..."

বাহিৰত খটৰ খটৰ জোতাৰ শব্দ উঠিল। হাত এৰুৱাই মাই ভিতৰলৈ লৰ মাৰিলে। বাহিৰত কথা হৈছে। মাতত বুজিলো, এটা হৰেন আনটো বিমল।

হৰেনে কৈছে "বিমল! য'ৰে-ত'ৰে মানুহৰ লগত ইমান ঘনিষ্ঠতা কৰা তোমাক নুশুৱায়। ডাঙৰ মানুহৰ লৰা তুমি, সাধাৰণ মানুহৰ লগত বেছিকৈ হলিগলি কৰিলে তোমাৰ মান-সম্ভ্ৰম নষ্ট হব। মোৰ মনেৰে এই মেইন পাৰ্ট কেইটা মোৰ ভাগিনটোকে দিয়া বেয়া নহয়। কলিকতাৰ কলেজত পঢ়োতে সৰহখিনি সময় ষ্টাৰ মিনাৰ্ভা ষ্টেজত থিয়েটাৰ চাই বিশেষ অভিজ্ঞতাও লাভ হৈছে। দেৱেনেও মোৰ মততে মত দিছে। তোমালোক ডেকা কেজনৰ মত হলেই হয়। ক'ৰ মানুহ এই বসন্ত? তাক লগত লৈ সমানে ষ্টেজত উঠাও আমাৰ অপমান।"

"আপুনি কৈছে দেৱেনক পাৰ্ট দিবলৈ, মোৰ তাত কোনো আপত্তি নাই। মোক এই বিষয়ে কোৱাৰ আগতে আপুনি ভাবি চাইছিলনে পাঁচ বছৰৰ আগত বৰুৱা মুঞ্চিপে দাতাকৰ্ণৰ অভিনয়ত দিয়া পাঁচশটকীয়া সোণৰ পদক পাব্লিকক নিজৰ গুণেৰে মুহি কোনে লাভ কৰিছিল? এই বসন্তই নহয় জানো? সেই থিয়েটাৰতে দেবেনেও পাৰ্ট লৈছিল নহয়? তদুপৰি দেবেনে মদ খায়, জানিব। চক্ৰবৰ্ত্তী ডাঙৰীয়া! যেতিয়ালৈকে মই ষ্টেজত আছো তেতিয়ালৈকে ইয়াত কোনো মদপীৰ স্থান নাই। যোৱাবাৰ পূজাত কালাপাহাৰৰ অভিনয়ত কি কাণ্ডখন নকৰিলে। কমিটিয়ে একমত হৈ বসন্তক এই পাৰ্ট লবলৈ হাত যুৰি অনুৰোধ কৰিছে। এই কথা জানেনে? আনপিনে দিনক দিনে 'ইয়ং ষ্টেজে' আমাৰ লগত সমানে তাল দিছে। সিহঁতে যদি বসন্তক লয় আমাৰ নাম গন্ধই নেথাকে।" বিমলে ক্ৰমে আৰু অধীৰ হৈ কলে "আপুনি অপমানৰ কথা কৈছে? সেই অপমান আপোনাৰ হলে হব পাৰে—মোৰ নহয়। নিজৰ কথা পাহৰি পৰৰ কথা চৰ্চ্চা কৰিবলৈ আহে। আপোনাৰ নিচিনা ভদ্ৰলোকৰ মুখত এনে কথাই শোভা নেপায়। আপুনি এতিয়া যাব পাৰে, মোৰ আজি অনেক কাম।"

চক্ৰবৰ্ত্তী ডাঙৰীয়াক ইমানতে বিদায় দি বিমল উঠি মোৰ ওপৰ চাপি আহি কিছুপৰ মুখলৈ চাই থাকি ভিতৰলৈ সোমাই গল।

"যা স্বৰ্ণ! দাদাৰক জগাই একাপ চাহ দি আহ। বেচেৰা মোৰ নিমিত্তেই খাটি খাটি আদমৰা হল।" এই বুলি কৈয়ে চিৰিত দুপ্‌দাপ্‌ শব্দ কৰি সি ওপৰ মহলালৈ উঠি গল।

মাইৰ হাতত এখন কাচৰ থালত কেতখিনি গৰম লুচি আৰু নিজে একাপ চাহ লৈ স্বৰ্ণ আহি মোৰ কোঠাত সোমাল। মই তেতিয়াও চকু মুদি টোপনিৰ ভাও জুৰি সিহঁতৰ আলেখ-লেখ চাই আছো। স্বৰ্ণই কলে "দাদাৰাক জগাই দিয়া মাই!"

"লাজ লাগে, মই জগাব নোৱাৰো।" এই বুলি দুষ্টালি কৰি তাই আঁতৰ হল।

"যোৱাহে কিহৰ লাজ? জগাই দিয়াগৈ। খাই নেপেলায়—মই চাই আছো।"

"নোরাবো মই। কাৰ ঘৰত কোন আছেহি—মই এতিয়া জগাই ফুৰিমগৈ নেকি? তোমাৰ আলহীক তুমি জগাই দিয়া। নিদিয়া যদি মই যাওঁগৈ।" এই বুলি তাই মুখ ওফোন্দাই বল।

"এঃ কেলেই নহয়। কাক কিমান ভাল পায় অত দিনে বুজা গৈছে, খাওঁতে শোঁতে হা মাই—হা মাই।"

"হয় তো, সেই বুলিছে হবলা বাটৰ পৰা ধৰি আনি আমাৰ ঘৰলৈ যায় বুলি বাখি থৈছা?"

মেকুৰীয়ে চিকাৰৰ পাছ লোৱাদি আঙুলিৰ ওপৰত ভৰ দি বিমল ভিতৰ সোমাই আহি সুধিলে "দাদাৰ এতে পৰে উঠা নাইনে?"

"এইজনীক জগাই দিবলৈ কৈছো, নিদিয়ে দাদা! মই কি কৰিম? তাইৰ হেনো লাজ লাগে; মোৰো আকৌ বৰ লাজ লাগে।"

"এবা এবা, তোৰ লাজ তো লাগিবই। বসন্ত অহাৰ গম পায়েই বাতি ক'ত পুৱাল ক'ত দুপুৱালতেই আহি ওলাইছ। তাহানি তাৰ কোলাত বহি গান শিকিবলৈ লাজ নেলাগিল। বাৰু থাক থাক, যদি তোক এদিন এই বসন্তৰ হাতত গতাই দিব নোৱাবো তেন্তে মোৰ নাম বিমলচন্দ্ৰ বৰুৱাই নহয়। দেখিম সেই দিনা তোৰ লাজটোনো ক'ত লুকাই থাকে।"

মেজত ধুপ্‌ধাপ কৰি লুচি আৰু চাহ থৈ স্বৰ্ণ আৰু মাই ভিতৰলৈ ভিৰাই ধৰি লৈ যাবিলে। বিমলে হাঁহি হাঁহি মাতিলে "হেৰা কুম্ভকৰ্ণ! নিদ্রা পবিত্যাগ কৰি চাহ এটুপি খাই লোৱা। কিমাননো নিদ্রা যোৱা।"

দুটামান এঙামুৰি দি কেটামান দীঘলীয়া হামি মাৰি উঠি বহিলো।

চাহ খাই মুহদি কৰি বিছনাৰে আকৌ সতৃষ্ণনয়নে চাইছো। বিমলে মোৰ মনৰ ভাব বুজিলে হব পায়। সুযুজিবনো কিয়? আইন পাছ কৰি আহিছে, হা কৰি মুখ মেলিলেই পেটত কেইডাল নাড়ীভুক্ত আছে কব পাবে। এই সাধাৰণ কথাটো কোন ছাৰ! ভিতৰলৈ চাই মাতিলে "স্বৰ্ণ! এই ফালে আহি যা।"

খাকৰ কণঝুন শব্দ হল। লগে লগে মাই আৰু স্বৰ্ণ আহি ভিতৰ সোমাল। বিমলে কলে "অৰ্গেনটো খুলি দে, এনেয়ে থকাতকৈ, ভাত হয় মানে এটা গানকে শুনা য'ক।"

কেবাহিকৈ মোৰ ফালে চাই, বিহাৰ আঁচলৰ পদ্ম ঝনকৰে চাবিকোছা ননাই লৈ অৰ্গেনটো খুলি তাই অগণ আঁতৰত বল। মুখলৈ চাই বুজিলো, তাই যেন কালো কান্দো হৈ আছে। এইৰ আকৌ হল কি? এই অগণতে তাইৰ মনত কিমান আনন্দ আছিল! বিমলে কলে "গুৰু মহাশয়! আপোনাৰ দুটি শিষ্য উপস্থিত আছে, অগণ গীতবাদ্য চলক। আমি হৈছো ভক্ত, শ্ৰৱণ কবা।" স্বৰ্ণলৈ মন কবিলো লাজত তাইৰ মুখখনি পদুমপাহিৰ দৰে জঁৱ পবিছে, মাইলৈ একে অৱস্থা।

ভিতৰৰ পৰা মাক ওলাই আহোতেই বিমলে গোচ দিলে,—"চোৱাচোন বৌটী! গুৰু-শিষ্য সাক্ষাৎ, লগে লগে তুমি আৰু মই দুজন ভক্তই শ্ৰৱণ কবিবলৈ সৌশৰীৰে উপস্থিত, কীৰ্ত্তন কবিলে জানো কিবা অপবাধ হব?"

মাকে হাঁহি হাঁহি কলে "গোৱাচোন বোপা! কাৰি বিমলক শিকোৱা গানটোকে, বৰ ভাল শুনিছিলো।"

বুঢ়া মানুহৰ কথা পলোৱা নোৱাবি অৰ্গেনটোৰ ওৰ চাপি গং এটা বজাই গালো—

বেণু বাজে বন মন্দিবে—
বন মন্দিবে কি মন মন্দিবে।
গুণু গুণু গুণু কণু ঝুনু
বাজে মোহন বেণু বনে বনে,
অতি গোপনে মধুব সুবেবে—
পাগলী গোপিনী বনে—
কত সব প্রাণে মোৰ কত সব প্রাণে।

মন প্রাণ দি গানটো গাই শেষ কবিলো। বিমলৰ মাকে কলে "আকৌ এটা বজোৱাচোন, এইইতে গৰু অগত্যা কথা পলোৱ নোৱাবি বজালো। স্বৰ্ণই আঁচ মায়ে গালে—

হেৰা কানু বনে বনে বজাই বাঁহী।
প্রাণটি আমাৰ কিয় নিয়া হবি। ইত্যাদি

গানৰ অন্তত বিমলে মাকক কলে, "চোৱা বাৰু যে,

গুৰু যেন শিষ্য তেনে নহলে গুৰু থাকে কেনেকৈ? দুটি নহলেও অন্ততঃ এটি শিষ্য গুৰুৰ লগে লগে থকা উচিত। এনে গুৰুভক্ত শিষ্য গুৰুৱেও নেপায়, আৰু এনে গুৰু শিষ্যয়ো নেপায়। স্বৰ্ণৰ তো দিহা হলেই, বাকী আছে মাইহে?"

কাপোৰৰ আগেবে মুখ ঢাকি স্বৰ্ণ আৰু মাই দুয়ো লবি পলাল। ময়ো লাজত তলমুৰ কবিলো। ভাবিলো বিমলৰ অত্যাচাৰ দিনকদিনে বাঢ়ি গৈছে। এইবাৰ সাবিব পাবিলে হয়াত আৰু কোনোদিনে ভবি নিদিওঁহি।

মাক গুচি গল। অৰ্গেনটো বন্ধ কবি হাতলগা চকী এখনত বহি খবৰৰ কাকত এখন মেলি লৈ পঢ়িছো। পঢ়িম কি? মাত্ৰ বিমলৰ চকুৰ পৰা নিজক আঁতবাই বাখিবলৈ চেষ্টা কবিছোঁ। ভিতৰৰ পৰা স্বৰ্ণই মাতিলে "দাদা! ভাত খাবৰ হল, আহক।" বিমল উঠি ভিতৰলৈ সোমাই আহিল। মই আকাশ-পাতাল ভাবি তাতে বহি থাকিলোঁ।

মুখত এমুখ হাঁহি লৈ বিমল আকৌ সোমাই আহিল। হাতত তাৰ এখন সেউজীয়া বঙৰ ভাঁজ কবা কাকত। ভিতৰ সোমায়েই কলে "ভাই বিজয়মালা তোবছে।" কাকতখন মোৰ ফালে আগবঢ়াই দি কলে "হেঁৱা, এইখন তোমাৰ চিঠি।"

মোৰ চিঠি? চিঠিখন হাত পাতি লবলৈ হাত দাং নাখালো। অকস্মাতে যেন হাত দুখন বাতবাগীৰ দৰে অৱশ হৈ পবিল। বিমলে আকৌ কলে "কিহে লাজ লাগিছে নে কি? এবা, মানুহক তো এনেকুৱা লাজুক হৈ দেখুৱাবই লাগে। মালিকৰ অসাৱধানতাত চিঠিখন পৰি গৈছিল। ভাগ্যে মোৰ হাতত পবিল, নহলে কি কাণ্ডখনেই নহলহেঁতেন!" এই বুলি সি মোৰ হাতত কাকতখন গুজি দি আঁতৰ হল।

কঁপা হাতেবে চিঠিখন মেলি লৈ পঢ়িছো। প্রকাণ্ড দীঘলীয়া চিঠি। 'শ্ৰীচবণেষু' আৰম্ভ কৰি সমাধা কবিছে সেৰিকা 'মাই' বুলি। এবাৰ দুবাৰ তিনবাৰ পঢ়িলো। তাত লিখিছে সকৰে পবাই তাই মোক ভাল পায়, সেইবাবে হেনো দোষী মই। আৰু লেখিছে চিবদিনলৈকে যেন এই দুখনী মাইলৈ মনত থাকে। একমনে চিঠিখন পঢ়িছো। বিমলে দূবৰ পবাই মোৰ হৃদয়ত উঠা অনন্ত ঢৌবাশি ঘাত-প্রতিঘাতৰ শব্দ শুনিলে বোধ হয়। তাবে পবা মাতিলে "মিত্রবৰ! পত্রখনি এতিয়া সাৱধানে জেপত ভবাই থক, সুবিধা আৰু সময় বুজি আন সময়তো পাঠ কবিব। ইপিনে ভাতে কবকবিয়া মাবিলে, খাই-বৈ লোৱাহি, দিনতে এবাৰ ষ্টেজলৈকো যাব লাগিব।"

এটা কাঠহাঁহি মাবি বিমলৰ লগে লগে ভাত খাবলৈ বুলি ভিতৰলৈ উঠি গলো।—(আগলৈ)



বাঘগুহাত বৌদ্ধযুগৰ শিল্পকলাৰ নিদৰ্শন

ভাৰতীয় প্ৰাচীন শিল্পকলাৰ নিদৰ্শন অজন্তাগুহা, দেখুৰা হব, অজন্তা আৰু মথুৰাৰ চিনাকি দিবলৈও বাঘগুহা, নলন্দ, মথুৰা আদিত পোৱা যায়। নলন্দৰ ইচ্ছা থাকিল।



বিহাৰ গুহা

শিল্পকলাৰ চিনাকি আমি আগেয়ে দিছোঁ। এতিয়া বাঘগুহাত থকা শিল্পকলাৰ নিদৰ্শন ইয়াত কেইটিমান

বিন্ধ্য পৰ্ব্বতৰ দখিণ শাখাত আজমিৰ জিলাত বাঘ নামে এখন সৰু নগৰ আছে। ইয়াৰ লোকসংখ্যা মাত্ৰোৰ

চাৰিহেজাৰ। বাঘ নগৰৰ ওচৰতে বাঘগুহা অৱস্থিত বাঘগুহালৈ যাব লাগিলে বি, বি, এণ্ড চি, আই, বেলৱেৰ মৌ নামে ষ্টেশ্বনত নামিব লাগে। মৌ ষ্টেশ্বনৰপৰা বাঘৰ দূৰত্ব ৮৭ মাইল। বাট ভাল; মটৰগাৰীযে যাব পাৰি। বাঘৰ ওচৰেদি নৰ্ম্মদা নৈৰ শাখা এটি বৈছে। এই শাখাটোৰো নাম বাঘ। খৃষ্টীয় ৬ষ্ঠ শতিকাত বৌদ্ধ ভিক্ষু সকলে বাঘগুহাত থাকিবলৈ ললে।

পাহাৰখন মুঠে তিন শ হাত ওখ। পাহাৰৰ তলৰ মাটি আলটীয়া। সেই অঞ্চলত মুঠে ৯টা গুহা আছে। আৰু সেইবোৰৰ আগডোখৰৰ পৰিমাণ প্ৰায় ৭৫০ গজ। গুহাবোৰ ইটোৰ পিছত সিটোকৈ নহয়। প্ৰত্যেকটো গুহা একোটা ডাঙৰ ঘৰৰ দৰে। তাত শ-শ মানুহ থাকিব পাৰে। আটাইবোৰ গুহা ভগ্ন অৱস্থাত আছে।



দ্বিতীয় গুহাৰ চোতালত বুদ্ধ আৰু বোধিসত্ব

গুহাবোৰৰ ভিতৰত কোনো লিখা পোৱা নাযায়। এতেকে সেইবোৰ কোন সময়ত সজা হৈছিল, তাক থিৰাং কৰিব নোৱাৰি। কেৱল সময় নিৰূপণ কৰিব পাৰা আন শিল্পকলাৰ লগত বিজাই হে ইয়াৰ বয়স অনুমান কৰিব পাৰি। অজন্তা গুহাৰ শিল্পকলাৰ লগত বাঘগুহাৰ শিল্পকলাৰ বহুত মিল দেখিবলৈ পোৱা যায়। সেইবাবে চমুকৈ এইটো অনুমান কৰিব পাৰি যে অজন্তা গুহাৰ বয়সেই বাঘগুহাবো বয়স। ঠিক সমান নহলেও সমসাময়িক বুলি ধৰি ললে একো ভুল নহব।

বাঘগুহাৰ প্ৰথম গুহাৰ নাম 'গৃহ'। এই গুহাৰ চিন একো নাই বুলি কলেও হয়। কালে সকলো ধুই নিছে। কেৱল চাবিটা স্তম্ভেৰে সজা ১৬ হাত দীঘল ৯ হাত বহলৰ এটা ভগা ঘৰ আছে। স্তম্ভবিলাকো ভগা। এখন বাৰান্দা থকা বুলিও উমান পোৱা যায়; কিন্তু তাৰ চিনচাব হলে পাবলৈ নাই বুলিলেও হয়।

দ্বিতীয় গুহাৰ নাম পণ্ডোবস্কি বা পাণ্ডৱগুহা। এই গুহাটোৰ অৱস্থা সৰ্ব্বতো ভাল আৰু ইয়াক আতি-পতিকৈ বথাও হৈছে। কিন্তু ইয়াবো ছবিবোৰ মছ খাইছে। এটা চাবিকুণীয়া বৰ ডাঙৰ সভাঘৰ, তিনিউফালে ভিক্ষু-সকলৰ থোটালী; সমুখত স্তম্ভময় বাৰান্দা, পাছৰ ফালে এটা স্তূপ—সদৌমূলি ৫০ গজৰ অলপ বেছি। বাৰান্দাৰ আগডোখৰ খহি গৈছে; ছটা আঁঠকুণীয়া স্তম্ভৰ মাথোন ওবিডোখৰ পোৱা হৈছে। বাৰান্দাৰ মাজত তিনখন দুৱাৰ। ঘৰবোৰৰ গঠন দেখিলে ভালকৈ বুজিব পাৰি গুহাৰ ভিতৰত বৌদ্ধবিহাৰ বিলাক বাহিৰৰ বিলাকতকৈ ভিন্ নক্সামতে সজা নহৈছিল। মঠৰ কক্ষবোৰৰ সমুখত কুবিটা স্তম্ভ আৰু তাৰ লগত চাবিউকোণৰ প্ৰাচীৰৰ গাবপৰা ওলাই অহা গুম্বজবোৰ আচবিত ধৰণৰ। সকলো বিলাকৰে তলত একোটাকৈ সমচকুকোণ ভেঁটি আৰু তাৰে পৰা কোনোটো পোনতে আঁঠকুণীয়া, তাৰ পিছত বাৰকুণীয়া, ষোলকুণীয়া হৈ চক্কিৎকুণীয়া হৈছে। স্তম্ভৰ মুখবোৰ চাবলৈ ভাল লাগে। মাজৰ অনুহৎ কক্ষত চাবিটা ঘূৰণীয়া স্তম্ভ আছে; কাৰণ শিলবোৰ লেহুকা।

ভিক্ষু সকলৰ থোটালী কুবিটা। তাত কাৰুকাৰ্য্যৰ কোনো আভাস পোৱা নাযায়—থাকিবও পাৰে, নাথাকিবও পাৰে। এই থোটালীবোৰ ওখই, দীঘে আৰু পুতলে তিনগজৰ বেছি নহয়।

তৃতীয় গুহাৰ নাম 'হথিখন' বা হাতীশাল। ইয়াত

উল্লেখযোগ্য কোনো বস্তু নাই। কেইটিমান অৱশ্যে ছবি পোৱা গৈছে ইয়াতো। তৃতীয় গুহাটো তেনেই ভাগিছে।



চতুৰ্থ গুহাত সোমবাৰৈ এটা দুৱাৰমুখ

চতুৰ্থ গুহাটোৰ নাম ৰংমহল। ইয়াৰ প্ৰাচীৰতেই বাঘগুহাৰ শ্ৰেষ্ঠতম চিত্ৰাৱলীৰ চিনাকি পোৱা যায়। হাতীশালৰপৰা ৰংমহল ১৭০ গজ আঁতৰত আৰু ৫ম গুহাটোৰ নিচেই ওচৰতে। দুয়োটা গুহাৰ আগেদি ডেৰশ হাত দীঘল এখন মণ্ডপ। তাত ২২ঠা স্তম্ভ থুউৱা আছিল। স্তম্ভবোৰ ভাগিছে, চালো ভাগি পৰিছে। চালত আৰু পাছফালৰ দেৱালত বহু চিত্ৰ থকাৰ চিন দেখা যায়। চতুৰ্থ গুহাটো নিৰ্ম্মাণ কৰোঁতে আনবিলাকতকৈ অলপ বেছি খনিকৰি খটোৱা যেন লাগে। হলৰ মাজদুৱাৰ

আৰু স্তম্ভত নিপুণ কাৰুকাৰ্য্য দেখি। দুৱাৰৰ মূৰত কাৰুকাৰ্য্যখচিত বুদ্ধদেৱৰ মূৰ্ত্তি শাৰী-শাৰীকৈ থোৱা আছে। এই গুহাৰ ওপৰ ছোৱাত যি সূক্ষ্ম কাৰুকাৰ্য্যৰ চিনাকি পোৱা যায় সি অতুলন। ছবিবোৰ প্ৰাণৱন্ত জীৱনৰ ছবি; জাতক বা অবদানৰ ছবি নহয়। বৌদ্ধগুহাত এইবোৰ দেখি কোনো কোনো মানুহে অবাক মানিছে।



চতুৰ্থ গুহাত সোমোৱা আন এটা দুৱাৰমুখ

বাটত দুটা নাচ-গীত থকা কোনো নাটিকাৰ নাচ-গীতৰ দৃশ্য দেখা যায়। মথুৰা-ভাস্কৰ্য্য আৰু আওৰঙ্গাবাদৰ গুহাতো এনে দৃশ্য আছে। মুঠতে শিল্পীয়ে ইয়াত তেওঁৰ নিপুণ শিল্পকলাৰ ক্ষমতা দেখুৱাব পাৰিছে। চিত্ৰাৱলী হুবহু ফুটি উঠিছে।—শেষ পিছৰ সংখ্যাত।

মোৰ সোৱঁৰণী

("আৱাহন," ৩য়, বছৰ, ১ম সংখ্যাত
ওলোৱাৰ পাচবপৰা)

—বায় চাহাব শ্রীযুত পদ্মনাথ গোহাঁইবৰুৱা

ফলি-লোৱা।—মোৰ সাতবছৰীয়া বয়সত পোন-প্রথমে মই ঘৰতে ফলি লওঁ। ক-ফলা আৰু অ-ফলা মই মোৰ ৺পিতৃ-দেৱতাৰ মুখে-মুখে আওবাওঁ। তাৰ পাচত, মই 'পৰিলা-কিতাপ' হাতত লৈ, ৺বাইদেওৰ মুখে বাৰমতৰা শিকোঁ। আথৰ চিনাৰ পাচত, ৺বৰককাইদেৱে মোক কাঠৰ ফলিত ক ফলা লিখিবলৈ শিকায়। ক-ফলা, অ-ফলা, ।-কাৰ, ি-কাৰাদি কেইওফলা ভালকৈ লিখিব পৰা হলত, মাজিউ আৰু সৰু ককাইদেওৰ এই চুজনবে সৈতে লগ লাগি মই কলপাতত 'হাতৰ-আখৰ' লিখিবলৈ ধৰোঁ। ভীমকলৰ পাততে কলিয়া খাগবিৰ কাপেৰে লিখা মোৰ হাতৰ আখৰ ঠগিত হোৱাৰ প্রশংসা শুনি মই বৰ উলাহিত হওঁ; সেই শলাগনিত উৎসাহিত হৈ মই হাতৰ আখৰ ক্রমাং ভাল কবি তুলিবলৈ যত্ন কৰোঁ।

পঢ়াশালিত নাম-লগোৱা।—অং ১৮০১ শকৰ আঘোণ মাহত ৺পাণীস্রনাথ গগৈদেউৰে সৈতে একেলগে একে-দিনাই উত্তৰ-লক্ষীমপুৰ চৰবীয়া পঢ়াশালিত আমাৰ নাম-লগোৱা হয়। তেতিয়াৰ সেই পঢ়াশালি এতিয়াৰ প্রাথমিক বা "নিম্নপ্রাইমাৰী" খাপৰ আছিল। মোৰ আদি-শিক্ষা-গুৰু ৺পুহিৰাম দেৱশর্ম্মা সেই পঢ়াশালিৰ একেজনা মাথোন পণ্ডিত আছিল। সেই একেজনা গুৰুৰেই সেই পঢ়াশালিত ভিন্-ভিন্ শ্রেণীত ভাগ-লাগি বহা এশমান ছাতৰক চম্বালি পঢ়াইছিল। ৺পুহিৰাম শর্ম্মা গুৰুদেৱে বৃদ্ধাবয়সৰ বাবে অৱসৰ লোৱাত ওৱালপাৰৰ ৺বিশ্বনাথ সবকাৰ পণ্ডিত দেৱে তেখেতৰ বাবে লয়হি। এখেত এজন পাকৈত শিক্ষক আছিল, বিশেষকৈ অঙ্ক-শিক্ষাত। সেইকালৰ স্কুল-চবইন্স্পেক্টৰ (তেতিয়া শ্রীযুত, পাচত বাহবাহাদুৰ) ৺ফণিধৰ চলিহা ডাঙ্গৰীয়াই চেক্রেটাৰী বা সম্পাদকৰ বাব গ্রহণ কবি সেই পঢ়াশালিখনৰ অৱস্থা ক্রমাং টনকিয়াল কবি তুলিবলৈ ধবে। এনেতে সুশিক্ষিত বিদ্যোৎসাহী অসমীয়া ডেকা-ৰাজিম মিঠাৰ কাশীনাথ বৰুৱা উত্তৰ-লক্ষীমপুৰলৈ মুফিস্ হৈ যায়। সেই ছেগতে, এই চুজনা দেশহিতৈষী চকাঁবী বিষয়ৰ যত্নীয়া যত্নৰ ফলত, আমাৰ পঢ়াশালিখন ক্রমাং উন্নত হৈ 'মাইনৰ' বা 'মজলীয়া ইংবাজী' আৰু "মজলীয়া বঙ্গলা ছাত্রবৃত্তি" স্কুলৰ খাপলৈ উঠে। সেই সুলত "মজলীয়া ইংবাজী ছাত্রবৃত্তি" আৰু "মজলীয়া বঙ্গলা-ছাত্রবৃত্তি" দুটাবিধৰ পৰীক্ষাথীক শিক্ষা দিয়া হৈছিল। শ্রেণী ভাষাৰ (vernacular) ছাত্রবৃত্তি স্কুলৰ পাঠ্য তেতিয়া অসৰৰ সৰ্ব্বতে বঙ্গলা আছিল। মোৰ অভিভাবকৰ নিৰাময়ত মই বঙ্গলা বিভাগৰ শিক্ষা সাং কবি হে ইংবাজী বিভাগত সোমোৱাটো স্থিব হয়। তেতিয়া বঙ্গদেশত যি স্কুলৰ যি শ্রেণীত যি কিতাপ চলিছিল, অসমতো সেই স্কুলৰ সেই শ্রেণীত সেই কিতাপকে চলোৱা হৈছিল। সেই অনুসাবি অসমৰ মজলীয়া খাপৰ স্কুলত এনেবোৰ কিতাপ পঢ়া আছিল, যেনেঃ—(১) সাহিত্য কিয়ফৰ (ক) ৺মদনমোহন তর্কালঙ্কাবৰ "শিশুশিক্ষা" ১ম, ২য় আৰু ৩য় ভাগৰ লানি (Series); (খ) ৺মধুসূদন চট্টোপাধ্যায়ৰ "পদ্যপাঠ" ১ম, ২য় আৰু ৩য় ভাগৰ লানি; (গ) ৺অক্ষয়কুমাৰ দত্তৰ "চাকপাঠ" ১ম, ২য় আৰু ৩য় ভাগৰ লানি (ঘ) ৺ঈশ্বৰচন্দ্র বিদ্যাসাগৰৰ "বোধোদয়"; (ঙ) ৺তাবাশঙ্কৰ বিদ্যাবত্নৰ "বামেৰ বাজ্যাভিষেক"; (চ) ৺হাফেজকৃত "নজাবশতক"

এইবোৰেই প্রকৃতপক্ষে আমাৰ অন্তৰত অসমীয়া জাতীয় সাহিত্য চর্চ্চাৰ অনুবাগ সঞ্চাৰ কবে। আমাৰ শিক্ষাগুৰু চুজনবপৰা যি সাকৱা শিক্ষা লাভ কবিছিলোঁহক, সেয়ে আমি চুইৰ উচ্চশিক্ষাবো আচল ভেঁটি। সেই কালৰ বঙ্গলা সাহিত্যৰ ওচবত আমি চিৰ ধৰুৱা; বিশেষকৈ তেতিয়াৰ বঙ্গলা সাহিত্য সংস্কৃতীয়া বা ংঃ-শুদ্ধসংস্কৃত হোৱাৰ ফলত, তেতিয়াবেপৰা ঘাই-মাতৃভাষা সংস্কৃততো অলপ অচবপকৈ আমাৰ ব্যুৎপত্তি লাভ হৈছিল, কালত সেই বঙ্গলা সংস্কৃত সাহিত্যৰ ব্যুৎপত্তিৰ আভাসে অসমীয়া সাহিত্য চর্চ্চাত আমাক বিশেষ গুণ দিছিল আৰু দিছে। অকল লিখা-পঢ়া শিক্ষা লাভেই নহয়, সেই ছেগতে অন্ধবিশ্বাসমূলক দেশাচাব আৰু অজাত ভাবমূলক কুসংস্কাৰবপৰা গোহবলৈ মূব উলিয়াব মূলত এই মোৰ পুজনীয় ভিনীহিদেৱ ৺কৃষ্ণানন্দ গোহাঁঞি-দুকন আৰু পিতৃব্যপ্রতিম শ্রদ্ধেয় ৺ফণিধৰ চলিহা বৰুৱা, এই চুজন আৰ্হি-পুকষ লাভ কবোঁ। ৺পানীস্রনাথ গগৈ দেৱ আদিবেপৰা অন্তলৈকে উত্তৰ-লক্ষীমপুৰ মজলীয়া স্কুলত মোৰ সহপাঠী আছিল। দুযো একে ক্লাচে সেই পঢ়াশালিত নাম লগাওঁ আৰু দুযো একে লগে বঙ্গলা ছাত্রবৃত্তি মহলা দি সেই স্কুলবপৰা ওলাওঁ। তাৰ পিছত, মই শিৱসাগৰ হাইস্কুলত পঢ়িবলৈ যাওঁ, ৺গণেশৰ ওজাহাটী নৰ্ম্মাল স্কুলত ভর্ত্তি হয়গৈ। উত্তৰ লক্ষীমপুৰৰ মজলীয়া স্কুলত পঢ়া কালতে আমি দুইবো অন্তৰত সাহিত্যিক অনুবাগ সাঁচে; আৰু দুযো তলে তলে বঙ্গলা আৰু অসমীয়াত কবিতা বচনা কবা আৰু প্রৱন্ধাদি লিখাত হাত দিওঁ। তাবে ফল স্বৰূপে, দুইবো চুহতীয়া একাঞ্জলি সৰু সৰু কবিতা গোটাই "পদ্ম-পাণি" নামে এটি কবিতা-বহি বাহ্কিছিলোহক। বহিটি গগৈ-দেৱৰ হাতত আছিল। তেওঁৰ অকাল বিয়োগৰ লগতে তাবো বিয়োগ ঘটিল; বহুব দহেকৰ পিছত মই ঘাই-ঘৰলৈ যাওঁতে তাব বিচাৰ লৈ সন্ধান নাপালোঁগৈ। এতিয়া তাৰ আজাওঁ মোৰ সোৱঁৰণীত নাই, মাথোন তাবে এটি মোৰ বচনা বঙ্গলা কবিতাৰ আগগুবি নোহোৱা একাঁকি জিলমিলকৈ কেতিয়াবা মনত পবেহি; যেনে,—

"আমাৰ যে চাঁদ হায়, দূৰে দূৰে সবে যায়, দূৰেতে পালায়;
সুদূৰ গগন মাজে, অগণন তাৰা মাজে, (হায়) মম চাঁদ নাই।" অসমীয়া কবিতা আৰু প্রৱন্ধৰ এটা নে দুটা অসমীয়া আলোচনী আৰু বাতবি কাকতত ওলাইছিল।

প্রাণত প্রথম সন্তাপ।—ইমানলৈকে সন্তাপৰ তাপ মোৰ গাত লাগিছিল যদিও, সি অন্তৰ চুবলৈ পবা নাছিল। সৰু ভাই-ককাইৰ অকাল বিয়োগে বিষাদ লগাইছিল, কিন্তু সন্তাপ লগোৱা নাই। মোৰ বুজন বয়সত, মোৰ গভীৰ ভক্তি-স্নেহৰ পাত্র ৺মোহনচন্দ্র গোহাঞি বৰুৱা ববককাইদেৱৰ অকাল মৃত্যুয়ে পোন-প্রথমে মোৰ প্রাণত সন্তাপ লগায়। তাৰ তাপে মোৰ অন্তৰ তবপে তবপে ভেজিছিল, আৰু ঘৰ ঘবোৱাহকে শোকাকুল কবিছিল। প্রথম সন্তান ববপুত্রৰ ভৰ ডেকা কালত অকাল বিয়োগ হোৱাত, মোৰ ৺পিতৃদেউতা শোকত মৃতপ্রায় হৈছিল। ডিব্রুগড়ত কোর্টত চকাঁবী চাকবী কবি থাকোঁতে, ৩৫ বছবীয়া বয়সত, হঠাৎ মাউবত পবি ববককাইদেৱৰ আচানক ঢুকাল, ঘবৰ আমি কেবে দেখিবলৈ নাপালোঁ।

হাই স্কুলত শিক্ষা।—শিৱসাগবত মই এটা বিষম সমস্যাত পবিলোঁগৈ। কিয়নো, হাইস্কুলত পঢ়িবলৈ নিচেই তলৰ শ্রেণীবপৰা আৰম্ভ কবিলে ওপবলৈ ভালেমান শ্রেণী বগাবলৈ থাকে, অথচ মোৰ বয়স তেতিয়া তেনেই কুমলীয়া নহয়, বঙ্গলা স্কুলত মোৰ বিস্তৰ সময় যায়,তেতিয়াই মই চৈধ্য বছবীয়া; মাজৰ এটা শ্রেণীবপৰা ধৱিলৈকো ইংবাজী সাহিত্যত মোৰ সমৃদ্ধি ব্যুৎপত্তি নাই, মাথোন কথমপি কেঁকাই-গোঁথাই আখৰ জোঁটাই পঢ়িব পাবোঁ। আন হাতে, গণিত, ভূগোল, ইতিহাস, পবিমিতি, জ্যামিতি আৰু বঙ্গলা সাহিত্য, এইবোৰ বিষয়ক শিক্ষাত মই তেতিয়া হাইস্কুলৰ ২য়, আৰু ১ম শ্রেণীৰ ছাতবৰ সমনীয়া; ইংবাজী সাহিত্যত একেবি অধিকাৰ বহিলেই মই নামনাৱঁকে অন্ততঃ ৩য় শ্রেণীত তম্ভিব পাবোঁ। এনেবোৰ দোধোৰমোৰত পবি মই এমাহমান এনেই বহি থাকিব লগীয়া হয়। তাৰ পিছত, ৺ভিনীহিদেৱৰ সিদ্ধান্ত মতে, মই মাহচেৰেক ঘৰতে ইংবাজী সাহিত্য যথাৱতকৈ শিকি লৈ একেচিপে হাইস্কুলৰ মাজৰ খাপৰ এটা শ্রেণীবপৰা মোৰ ইংবাজী শিক্ষা আৰম্ভ কবাটোৱেই স্থিব হয়। সেই অনুযায়ী

ছমহমান ঘৰতে ইংৰাজী সাহিত্যৰ আদি পুথি খনদিয়েক লুটিয়ালোঁ; কিন্তু তাৰপৰা ইংৰাজী বাৰেমতৰাৰ বোধ মাথোন জন্মিল, বৰ্ণবিন্যাস, বাক্যবিন্যাস আৰু ব্যাকৰণ বিষয়ক বিশদ জ্ঞান লাভ নহ'ল। তথাপি,৮ভিনীহিদেৱপৰা উৎসাহৰ বল পাই, মবসাহ দি মই শিৱসাগৰ হাইস্কুলৰ ২য় শ্ৰেণীত নাম লগাই লৈ একাগপতীয়া মনোযোগেৰে পঢ়িবলৈ ধৰিলোঁ। কিন্তু অনতিপলমে সেই মবসাহৰ ফল বিষমকৈ ফলিয়ালে,—ফলিতাৰ্থত সেই শ্ৰেণীত ঠাইৰিবলৈ মোৰ পক্ষে টান হৈ উঠিল। লগৰীয়া ছাত্ৰই চাইটা বিষয়ত যি পৰিশ্ৰম কৰে, মই মাথোন একেটা ইংৰাজী সাহিত্য বিষয়তে সিমান শ্ৰম কৰিও সেই বিষয়টোত সহপাঠীৰ সমানে ৰব নোৱাৰাত পৰিলোঁ। বাৰেমতৰা শিক্ষাৰ কিতাপ (Spelling Book) ভালকৈ মুখুটিয়াকৈ ইংৰাজী পঢ়িবলৈ শিকাৰ ফলত বৰ্ণগুদ্ধিৰ দোষতে মই তল যাব লগীয়া হলোঁ। তথাপি আনবোৰ বিষয়ত সম্যক্ ব্যুৎপত্তি থকা হেতুকে সততে সাদিনীয়া, মাহেকীয়া, তিনি মহীয়া আৰু ছমহীয়া মহলাবোৰত, মঠৰ ওপৰত ভাল নম্বৰ ধৰি, মই ৩য়, ২য়, আৰু ১ম, ঠাই অধিকাৰ কৰিছিলোঁ। কিন্তু, ইংৰাজী সাহিত্যত সহপাঠীয়ে সততে মোক চেৰ পেলোৱাৰ হেতুকে ভিতৰি ক্ৰমাং মোৰ মন ভাগিবলৈ ধৰিলে।

চার্ভে শিক্ষা।—সেই ছেগতে উত্তৰ লক্ষীমপুৰবপৰা চকীৰী বাতৰি পোৱা গ'লযে, মই শিৱসাগৰ মওলী-মৌজাদাৰী চার্ভে স্কুলত পঢ়ি, তাৰপৰা মহলাত উঠি পিতৃ-দেউতাক মৌজাদাৰী বিষয়-বাৰবপৰা অজবাই-দিবগৈ লাগে। সেই আদেশ বাতৰি মই আনন্দত উকলীকৃত হলোঁ। সেই সোণালম সুযোগতে হাইস্কুলৰ দোধোৱামোৰ সমস্তাবপৰা মুৰ উলিয়াই, অনতিপলমে মই চার্ভে স্কুলত ভৰ্ত্তি হলোঁগৈ। ভাগ্যক্ৰমে সেই সময়ত সেই চার্ভে স্কুলত মাষ্টৰ আছিল মোৰ মজলীয়া স্কুলৰ শিক্ষাগুৰু ৺নীলকান্ত তালুকদাৰ। আগতে কি আহিবলৈ পাহৰিলোঁ যে, এওঁ চার্ভে-বিদ্যাত এজন পাকৈত পণ্ডিত আছিল। ৺নীলকান্ত তালুকদাৰ উত্তৰ লক্ষীমপুৰ মাইনৰ স্কুলৰ হেডপণ্ডিত থাকোঁতেই তেওঁবপৰা লাগতিয়াল চার্ভে-শিকা লাভ কৰি, ৺ফণিধৰ চলিহা ডাঙ্গৰীয়াই স্কুল-চৰ-ইন্স্পেক্টৰী পদবপৰা চৰ-ডেপুটা কলেক্টৰ পদলৈ উঠে। মোৰ সেই পুৰণি শিক্ষকক তলতে মনৰ সুখ শান্তিতে এবছৰকাল চার্ভে শিক্ষা কৰি সেই বছেৰেকৰ ভিতৰতে মণ্ডলী চার্ভে আৰু মৌজাদাৰী চার্ভে এই দুটা চার্ভে মহলাত সুখ্যাতিৰে উত্তীর্ণ হলোঁ। পিছে, 'চার্ভে-পাছ' হৈ উঠি, চকীৰী চুকিয়তে মৌজাদাৰ বিষয়া হবলৈ বুলি উত্তৰ-লক্ষীমপুৰ উদ্দেশে মনে উৰোঁ উৰোঁ কৰি মোক উলাহত নচুৱাব লাগিছে, এনেতে পুজনীয় ভিনীহিদেৱে মোৰ সেই কল্পিত সুখদৃশ্য আঁৰ কৰি ধৰি মাজতে থিয় দিলে। অৰ্থাৎ ইতিমধ্যতে পূৰ্ব্বৰ সুখ্যাতিৰ সন্মান স্বৰূপে, 'চার্ভে পাছ' হৰ লগীয়া বন্ধা নিয়মবপৰা অব্যাহতি দি, যিমান দিনলৈ ইচ্ছা মাষ সিমান দিনলৈ বিনা পাছে মৌজাদাৰী বিষয় বাৰ ভোগ কৰিবলৈ মোৰ পিতৃদেউতাক গৱৰ্ণমেণ্টে অনুমতি দিয়ে; গতিকে নিচেই চেনমীয়া ৰবত মৌজাদাৰী বিষয়ৰ গুৰুতৰ বাৰ লোৱাতকৈ মই পুনৰপি ইংৰাজী স্কুলত পঢ়াটোহে বাঞ্ছনীয় বুলি মোৰ ভবিষ্যত ভাবোতা অগ্ৰজপ্ৰতিম ভিনীহিদেৱে মোক বিস্তৰ বুজনি দিলে। মোৰ পক্ষে তেখেতৰ কথা পেলোৱা অসম্ভৱ কথা। গতিকে, অগত্যা তেখেতৰ সেই আদেশ-উপদেশ শিৰোধার্য্য কৰি, মই শিৱসাগৰ হাইস্কুলৰ তৃতীয় শ্ৰেণীত পুনঃ ভৰ্ত্তি হলোঁগৈ।

পুনৰপি হাইস্কুলত।—উক্তাৱল মন শুকজনৰ বুজনিত শান্ত হ'ল; মই নিশ্চিন্ত চিতবে পুনৰপি হাইস্কুলৰ ছাত্ৰ হলোঁ। এইবাৰ কিন্তু আগৰ বাৰতকৈ এফেৰি পৈণতা; কিয়নো চার্ভে স্কুলত পঢ়া বছৰেকত মই সেই একেটা বিষয়তে থকা নাছিলোঁ, তাৰ লগে লগে চিতকৰাকৈ ইংৰাজী শিকাতো মনোযোগ দিছিলোঁ। সেই ভাগ্যক্ৰমে আমাৰ সেই চার্ভে স্কুলটো 'শিৱসাগৰ' পুখুৰীপাৰৰ পুব-দক্ষিণ কোণত মিঞ্জন টোলৰ বড়লাঘৰ এটাত পতা হৈছিল; সেই ছেগতে সেই সময়ৰ পাৰ্ত্রী চাহাবজনৰ লগত, বিশেষকৈ তেওঁৰ সাদৰী মেম চাহাবৰ লগত মোৰ প্ৰীতিভাব লাভ হয়। সিবিলাকৰ ইচ্ছা, মোৰ সৈতে অসমীয়াতে কথাবার্ত্তা পাতি অসমীয়া ভাষাকৈ শিকে; মোৰ ইচ্ছা, সেই সুযোগতে সিবিলাকৰ সুসঙ্গত মই

পাৰ্থ্যমানে ইংৰাজী শিকোঁ। পিছে, উভয়পক্ষৰে মনোভাব জনাজনি হলত, উভয়ে উভয়ৰ উদ্দেশ্য সিদ্ধিত যত্নপৰ হলোহেঁক। ফলত, উভয় পক্ষৰে উদ্দেশ্য যথাৰ্থতকৈ সিদ্ধি হ'ল। মোক কিন্তু সেই ফল লাভে বিশেষ গুণ দিলে, কিয়নো তাৰ বলতে পুনৰ্ব্বাৰত মই পূৰ্ব্বৰাবৰ সমস্তা ভাঙ্গি হাইস্কুলত দক্ষতাবে সৈতে পঢ়ি পৰা হলোঁ। এইবাৰ পূৰ্ব্বতকৈ অধিক মনোযোগেৰে পঢ়িবলৈ লাগি গলোঁ। সেই সময়ত নাজিৰা মাইনৰ স্কুলবপৰা মঞ্জলীয়া ইংৰাজী ছাত্ৰবৃত্তি মহলাত প্ৰথম বিভাগত উত্তীর্ণ হৈ আহি আমাৰ শ্ৰেণীত ভৰ্ত্তি হোৱা ৺কমলেশ্বৰ বৰঠাকুৰ নামে এজন চোকা ছাত্ৰ মোৰ প্ৰতিযোগী সোমালহি। স্কুলৰ সাদিনীয়া, মাহেকীয়া, তিনিমহীয়া আৰু ছমহীয়া মহলাবোৰৰ কোনোটোত মই প্ৰথম, তেওঁ দ্বিতীয়, আৰু কোনোটোত তেওঁ প্ৰথম, মই দ্বিতীয়, এই অনুক্ৰমে প্ৰতিযোগিতা বাঢ়ি, ছয়ো তৃতীয় শ্ৰেণীবপৰা দ্বিতীয় শ্ৰেণীলৈ আৰু দ্বিতীয়বপৰা প্ৰথম শ্ৰেণীলৈকে প্ৰথম দ্বিতীয় হৈ প্ৰমোচনত হাইস্কুলৰ যুৱত চৰিলোঁ গৈ। তেতিয়ালৈকে আমাৰ পৰম পুজনীয় শিক্ষাগুৰুদেৱ ৺চন্দ্ৰমোহন গোস্বামী প্ৰভুদেৱে শিৱসাগৰ হাইস্কুলৰ হেডমাষ্টৰ আছিল।

কহিমা-যাত্ৰা।—মই প্ৰথম শ্ৰেণীলৈ উঠি বছেৰেক পঢ়োঁতেই মোৰ অপাৰ শ্ৰদ্ধাভক্তিৰ পাত্ৰ, সেই কালত অসমত ইংৰাজী বিদ্যাত অদ্বিতীয় প্ৰগাঢ় পণ্ডিত ৺চন্দ্ৰমোহন গোস্বামী প্ৰভু নগা-পৰ্ব্বতলৈ কহিমা গৱৰ্ণমেণ্ট হাইস্কুল হেডমষ্টাৰ পদত বদলি হৈ যায়। ৺গোস্বামী প্ৰভুৰ অসাধাৰণ পাণ্ডিত্য আৰু উচ্চমনীতিমূলক শিক্ষাদানৰ প্ৰতি মোৰ অন্তৰত অটল বিশ্বাস আৰু অচলা আসক্তি বহিছিল; তেখেত হঠাতে বদলি হৈ যোৱাত, সেইখিনিতে ঠমকা থাই মোৰ আকৌ মন ভাগিবলৈ ধৰিলে। তেখেতৰ শিক্ষা বিনে আনৰ শিক্ষাত সমূলি মোৰ মন নবহা হ'ল। সেইভাৱে মাহদিয়েক গাৰ হোৱাৰ পিছত, মই অগত্যা শিৱসাগৰ হাইস্কুল এবিবলৈকে মনস্থ কৰিলোঁ, আৰু চন্দ্ৰমোহন গোস্বামী হেডমাষ্টৰৰ তলত পঢ়িবলৈ নাপালে সিমানতে মোৰ ইংৰাজী শিক্ষা সামৰিম বুলি মোৰ অভিভাৱক ৺ভিনীহি দেৱ আৰু ৺পিতৃদেউতাক সেই সংকল্প যথাসময়ত জনালোঁ। স্থিৰমতি সুন্দৰ্শী ভিনীহিদেৱে মোৰ মনৰ গতি সবিশেষকৈ বুজি উঠি মোৰ সেই প্ৰৱল ইচ্ছাক বাট এৰি দিলে। সততে নতুন-পুৰণিৰ সামঞ্জস্য ৰাখি চলোঁতা সুদূৰদৰ্শী মোৰ অতি জ্ঞানী পিতৃ-দেউতায়ো শুদ্ধচিতবে ৰবজোঁৱাইকৰ মততে সম্মতি দিলে। মই পৰম উল্লসিত হৈ শিৱসাগৰ হাইস্কুলবপৰা ওলাই, অনতিপলমে কহিমা-যাত্ৰালৈ সষ্টম হলোঁ। মোৰ ক্ষুদ্ৰ জীৱনত ই এটা লেখৰ ঘটনা।

কহিমালৈ যোৱা- অহা কৰা সেই কালত বৰ দুকহ আছিল। এতিয়াৰ দৰে তেতিয়া নিচুগাৰ্ডবপৰা কহিমা টাউনলৈকে এই ছোৱা বাট গাড়ী চলাচলৰ নিমিত্তে সুগম নাছিল, মাথোন পৰ্ব্বতৰ কাষ-কটা আকোৱা-পকোৱা চুৰ-চুৰীয়া ঠেক বাটেদি পৰ্ব্বত বগাব লাগে; ঠায়ে-ঠায়ে অটব্য অবণ্য ভাঙ্গি সুকঙা-কটা উঠা-নমা বাট ধৰি গুহা পাৰ হৰ লগীয়াত পৰে। অগত্যা টানত পৰি বা বাধ্য হৈ যাব লগীয়া নহলে, সেই কালত ভৈয়ামৰ মানুহে নগা পৰ্ব্বত বগাই কহিমা যাত্ৰালৈ আগ নাবাঢ়িছিল। তেনে স্থলত ভৈয়ামৰ ভালেমান ভাল ভাল হাইস্কুল ওঠাই, নগা-পৰ্ব্বতৰ টিঙত কহিমা হাইস্কুলত পঢ়িবলৈ ওলোৱা দেখি, কোনোৱে মোক বাতুল বুলি হাঁহিছিল, কোনোৱে আকৌ মোৰ সাহ-পিত মনৰ তেজলৈ লক্ষ্য কৰি বিস্ময় মানিছিল। সি যি হ'ক, তেনেকুৱা অৱস্থাত, এজন উদ্‌ভ্রান্ত বৈষ্ণৰ বঙ্গালী সন্নাসীক লগত লৈ কহিমা যাত্ৰালৈ মই মন বান্ধি ওলালোঁ। এনেতে ইঙ্গনাথ গগৈ আৰু মধুৰা নাথ গগৈ নামে আৰু দুজন ছাত্ৰ লগ লাগি মোৰ সহযাত্ৰী হ'লহি। কবলৈ পাহৰিছোঁ, মোৰ লগৰী বৈষ্ণৱজনৰ নাম ভূতনাথ। ময়ে সৈতে 'চাবি নাথ' একেলগ হৈ, যথা সময়ত আমি চাবি নবপ্ৰাণীয়ে পদব্ৰজে কহিমা যাত্ৰা আৰম্ভ কৰিলোহেঁক। গোলাঘাটলৈকে আদিছোৱাত আমাৰ যাত্ৰা বৰ বিষম যেন নালাগিছিল। কিন্তু, তাৰপৰা নিচুগাৰ্ডলৈকে সেইছোৱা অতি দুৰ্গম বুলি শুনিলোঁ; মানুহৰ মুখে বাটৰ বৰ্ণনা শুনি পেটতে হাত-ভৰি লুকুৱাৰ নিচিনা লাগিল। হাতী, ঘোঁৰা, গাড়ী এনেকুৱা বাহন বিনে সেই ছোৱা বাট খোজা অসাধ্য; কিন্তু তেনেকুৱা বাহন

যোগাৰ কৰি লবলৈ আমাৰ গাত যুগুত বল আৰু চল নাছিল। নিচুগাৰ্ডৰপৰা ওপৰলৈ পৰ্ব্বতীয়া বাটৰ বৰ্ণনা শুনি যে আমাৰ মানত সেই ছোৱা বাট অগম্য বোধ হ'ল; লগৰীয়া কেইজনৰ মন কোঁচ খোৱা যেন দেখা গ'ল। কিন্তু, মোৰ মন নাভাগিল, মই মোৰ উদাহৰণেৰে উদগনি দি, সিবিলাকক পুনঃ আমাৰ উদ্দেশ্যৰ বাটলৈ আনিলোঁ। কি যে এক অলৌকিক প্ৰেৰণাই কেইওটিকে আন্তৰিক বলেৰে আগুৱাই দিলে, একে উশাহতে আমি মৰসাহ দি, পদব্ৰজে আমাৰ গন্তব্য পথত আগ বাঢ়িলোঁ। টাউনৰ পূব সীমাস্থ আমাৰ আলহী বহাৰপৰা এমাইলমান গৈ ধনশিৰী নৈৰ পাৰ-ঘাট পাইছোঁগৈ এনেতে শ্ৰীযুত শশীধৰ কাকতী নামে মোৰ শিৱসাগৰীয়া চিনাকী বন্ধু (গোলাঘাট লোকেল বোৰ্ডৰ অভাৰচিয়াৰ) এজনে আমাক লগ পায়। তেওঁ আমাৰ যাত্ৰাৰ বিষয়ে আদ্যোপান্ত শুনি লৈ, আমাক সাহায্যৰ আশ্বাস দি তেওঁৰ বহালৈ ওভোতাই লৈ আহিল। সেই ৰাতি আমি তেওঁৰ বহাতে বঞ্চিলোঁ। পিছ দিনা বহু প্ৰৱন্ধেৰে তেওঁ কেৰেয়ালৈ আমাক হাতী যোগাৰ কৰি দিলে। সেই হাতীয়ে আমাক "নিচুগাৰ্ড" নামে নগা-পৰ্ব্বতৰ ভৈয়ামসঙ্গম দুৱাৰডলিলৈকে (হাতীৰে ৪ দিন আৰু গৰুগাড়ীৰে ৮দিনৰ বাট) আগুৱাই দি অহাটো স্থিৰ হ'ল। সেই বন্ধুজনৰ নথৈ শলাগ লৈ, আমি আমাৰ যাত্ৰাৰ দ্বিতীয় চিপ আৰম্ভ কৰিলোঁ। চাৰি দিন বাটত ভালেমান অসুবিধা আৰু অভাৱনীয় দুখ-কষ্ট সহি গৈ গৈ চতুৰ্থ দিনা ৰাতি দুপৰ মানত 'নিচুগাৰ্ড' পালোঁগৈ। তেতিয়া কৃষ্ণ পক্ষ। সন্ধ্যাতে আন্ধাৰ। অচিনাকী ঠাই। নিজম মাজনিশা। কলৈ যাম, কি কৰিম, ক'ত থাকিম, এনে লাগি বিমোৰ হলোঁহক। সেই সমস্যাৰ মাজত, আপোন-হেৰোৱা অৱস্থাত, অলপমান আগতে, পৰ্ব্বতৰ গৰ্ভৰপৰা ওলোৱা এটা প্ৰাণ জুৰ কৰা অতি সুমধুৰ কুল-কুল কুল সুৰে মোৰ হৃদয় স্পৰ্শ কৰিলেহি; ক্ষন্তেকৰ নিমিত্তে দুখ-ভাগৰ চিন্তা-সমস্যা সকলো পাহৰি মই বিভোল হলোঁ! মাউতে সঙ্কেতত আগুৱাই নি হাতী সেই পৰ্ব্বতীয়া নৈৰ কাষ পোৱালেগৈ। তাতে হাতীৰপৰা নামি দেখোঁ যে, কোনোবা বাটকৰা বৈ যোৱা গছৰ ডাল-পাতেৰে সজা বৰটাৰে বাৰ দিয়া পজাঘৰ এটি উদং হৈ ৰৈছে। হাতীটো পৰ্ব্বতৰ নামনিত চৰিবলৈ মেলাই দি, ৰাতিটো সেই পজাৰ তলতে বঞ্চিলোঁহক। আহাৰ-পানী নাই, কিন্তু নৈৰ মনমোহিনী কলকলনিয়ে মোৰ ভোক-পিয়াহ হৰি নিলে!

পিছদিনা পুৱা মাউতে হাতী লৈ ওলোটা বিদায় ললে; চকুৰে দেখালৈকে হাতীৰ ফালে একে থৰে চাই চাই আমি চাৰিওটি দলনতি পোনা মেলাৰ দৰে হৈ দৰক্ লাগিলোহঁক! হাতী নেদেখা হলত চাঁত্‌কৰে কি যে এটা বিষাদৰ ভাবে হিয়া ভেজি মথি আমাৰ চকু চলচলীয়া কৰি পেলালে! ভ্ৰান্ত আমি চাৰি প্ৰাণীক ঠেকত অকলশৰীয়াকৈ পাই, ভিতৰি এটা ভয়াৱহ ভাবে আমাৰ বুকু কঁপাবলৈ ধৰিলে! পিছ মুহূৰ্ত্ততে মই উপস্থিত সমস্যাৰ ধাৰ বুজি উঠি আকৌ ততালিকে সাহসত ভেজা ললোঁ; লগে লগে লগৰীয়া কেইজনক খোৱা মেলাৰ দিহা কাৰণ লগাই দি তৰ্কিব নোৱাৰাকৈ সিবিলাকৰ অন্তৰত উথলি উঠা সেই ভয়াৱহ ভাব অন্তৰতে মাৰ নিয়ালোঁ। তাৰ পিছত, বাকী তৃতীয় ছোৱা বাট খেদাৰ উপায় বিচাৰি মই ইফাল সিফাল কৰিবলৈ ওলালোঁ; আৰু বহু প্ৰৱন্ধে, নিচুগাৰ্ডৰ অধ্যক্ষ দেছোৱালী জামাদাৰ জনৰ জৰীয়তে দুটা বোজা বোৱা আৰু এটা চেৱাৰী ঘোঁৰা কেৰেয়া লৈ যোগাৰ কৰিলোঁ। ভৰদুপৰীয়া সেই চিত্তহাৰিণী পথিকসোহাগিনী পৰ্ব্বতদুহিতাৰ কুল্-কুল্-কুল্ মনোমুগ্ধকৰ স্নিগ্ধসুৰত অৱগাহন কৰি উঠি দেৱতাদুৰ্ল্লভ প্ৰীতিভোজনত চাৰিওটি মুখামুখি হৈ বহিলোঁ;—সেই প্ৰৱসুৱা ভোজনৰ অমিয়া- তৃপ্তিৰ টোপাল আজিকো পতি মোৰ সোৱঁৰণী-পটৰ পাতৰপৰা টপ্‌টপ্‌কৈ সৰে! তাৰ পিছত, দুটা ঘোঁৰাৰ পিঠিত আমাৰ সমুদয় মাল-বস্তু বোজা দিয়াই, লগৰীয়া তিনিজনক ঘোঁৰাৰ গিৰী-জনৰে সৈতে লগ-লগাই দি, মই অচিনাকী অটব্য পৰ্ব্বতীয়া হাবিৰ তলে তলে অকোৱা-পকোৱা চুৰ্‌চুৰীয়া নগা-বাটেদি চগা-চমকাকৈ ঘোঁৰা মেলাই কহিমা উদ্দেশে আগ বাঢ়িলোঁ। উঠা-নমা-কেঁকুৰী-বাট। ঠাই বুজি ঘোঁৰা মেলাওঁ, ঠাই বুজি থমাওঁ। এনেভাৱে লগৰীহঁতক এৰি অকলেঅকলে ভালেখিনি বাট গলোঁ। তিনি ঘণ্টা মান সেই ভাৱেই গৈ গৈ বৰ বহল আৰু অতি গভীৰ গুহা এটা

পাৰ হব লগাত পৰিলোঁ গৈ। আগ পাছ গুণিবৰ সময় নাই। আগলৈ কিমান বাট আছে নাজানো। পাছত কিমান বাট এৰি আহিলোঁ তাকো কব নোৱাৰোঁ। কিন্তু লগৰীহঁতক বহু দুৰণিত পাছ পেলাই আগ বাঢ়িলোঁ যে সেইটো ভালকৈ বুজি উঠিছোঁ। ওলোটা-হোঁহোকা কৰিবলৈকো সাহ যোৱা নাই। মনৰ এনে উগুল-থুগুল অৱস্থাত চকু-আঁখি মুদি মৰোঁ-জীওঁকৈ দিলোঁ নমাই ঘোঁৰা গুহাৰ গৰ্ভলৈ। কেই নলমান নামিছোঁ মাথোন এনেতে শেলুৱৈ লগা শিলনিত থুৱা পিছলি ঘোঁৰাটো তলমূৰীয়াকৈ এবেওঁমান আঁতৰত পেপাকাৰি পৰিলগৈ,—মই কৰ্ফাল্ খাই তাৰপৰা তিনি হাতমান আঁতৰ হৈ পৰি মুছ্‌কছ্ গলোঁ! জন-প্ৰাণীৰ সঞ্চাৰ নাই। চৰাই চিৰি-কতিৰো ৰাগ ৰাগিণী নাই, নিজান, নিতাল, গহীন গহ্বৰ! আকাশ আৰু পাতালৰ মাজত মৰামুছা মই, আৰু জিভা মেলি পৰি থকা মোৰ ঘোঁৰাটো! এই হেন সঙ্কটত, অটব্য অৰণ্যৰ মাজত, গভীৰ গুহাৰ তলিত, মোৰ আৰু ঘোঁৰাটোৰ সহায়-সাৰথি কেওঁ নাই! এনেতে, কেইমিনিট মানৰ পিছত, গলধনত ধক্‌ধককৰে বগা শামুকীয়া শঙ্খ পিন্ধা কঁকালত চক্‌চকীয়া গুটি-গুটি কড়ি লগোৱা টঙ্গালি অঁটা সোঁহাতে এখন দীঘল দা ধৰা, বাওঁ-হাতে এপাট ৰঙা চুলি লগোৱা যাঠি লোৱা দুটা বনৰীয়া মানুহ কৰবাৰপৰা হাবি ভাঙ্গি ওলাই আহি মোৰ আৰু ঘোঁৰাটোৰ মাজত থিয় দিলেহি। বনৰীয়া হলেও মানুহ। সেই নিজানত মানুহৰ মুখ দেখি মোৰ প্ৰাণত আশাৰ সঞ্চাৰ হ'ল। মোৰ মৰা মুখত সঞ্জীৱনী জীপ্ পৰিল। মই অতি আতুৰভাৱে সিহঁতৰ মুখলৈ চালোঁ। সঙ্কেতেৰে অন্তৰৰ কাতৰভাৱ সিহঁতক জ্ঞাপন কৰিলোঁ। সিহঁতে কিবাকিবি বেক্‌বেকাই খেল্‌খেল্‌কৈ হাঁহি পেলালে। তাৰ পিছত, দুয়ো ধৰি আগেয়ে ঘোঁৰাটোক পিছত মোক মাটিৰ পৰা দাঙ্গি তুলি লৈ, এটাই মোক আৰু আনটোৱে ঘোঁৰাটোক ধৰি ধৰি নি গুহাটো পাৰ কৰি দি, মোক বাট লগাই দিলেগৈ। সেই ছেগত, সেই ঈশ্বৰপ্ৰেৰিত দূতস্বৰূপ সেই বনমানুহ (নগা) দুটিৰ প্ৰতি মোৰ হৃদয়ত যি অপাৰ কৃতজ্ঞতা উপচি পৰিছিল, তাক ব্যক্ত কৰিবলৈ ভাষা ভাবি নাপাই ভাবৰ ভঙ্গীৰেই সিহঁতৰ শলাগ ললোঁ। সিহঁতে বুজিলে নে নাই কব নোৱাৰোঁ। তাৰ পিছত মই আকৌ ঘোঁৰাৰ পিঠিত চৰি লৈ, কপালত হাত লগাই দুইকো দুটি শলাগৰ 'চেলাম' দিলোঁ। সিহঁতে বুজিলে কি কব নোৱাৰোঁ, দুয়ো হাতৰ দ-যাঠী জোকাৰি, কিৰিলি মাৰি, জঁপিয়াই লফিয়াই, ডেও পাৰি হাবি মহটিয়াই তুৰন্তে আকৌ কৰবালৈ লৰ ধৰিলে। মই সেইখিনিৰপৰা এছোৱা পোন বাট পাই আকৌ এচেঁকুৰ ঘোঁৰা মেলাই বাট খেদিবলৈ ধৰিলোঁ। মোৰ নগণ্য জীৱনত ই এটা মহাসঙ্কট গণনা। মোৰ লিখিত কোষ্ঠীতো এই সঙ্কটৰ সঙ্কেত দিয়া আছে।

সেই মহা সঙ্কট এৰাই আকৌ ঘোঁৰা মেলাই গৈ দুটামান পৰ্ব্বতীয়া পাক পাৰ হৈছোঁ মাথোন, এনেতে লতাই গছক মেৰোৱাৰ আহিৰে মেৰাই মেৰাই পৰ্ব্বতৰ টিঙ্গলৈ উঠা এছোৱা বাট বগাব লগীয়া হ'ল। গতিকে, তাৰপৰা মোৰ ঘোঁৰাই টুকুচ্ টুকুচ্‌কৈ মহাজনীয়া ঘোঁৰাৰ খোজ ধৰিলে। সেই ছেগতে মই পৰ্ব্বতৰ সোঁ পাশে নগা-পামৰ শোভা ডিঙ্গি ভাঙ্গি ভাঙ্গি বেঁকা চাহনিৰে চাই গৈছোঁ, থাপি থাপিকৈ তললৈ নামি যোৱা নগা পথাৰৰ সৰু সৰু ডৰাবোৰৰ সেউজীয়া সৌন্দৰ্য্য চাই চাই আপোন পাহৰাৰ নিচিনা হৈছোঁ, ইতিক্ষণত সিটো মেৰত ব্যাণ্ডবাদ্য সদৃশ তালে-তালে মন নচুৱাই উলাহিত কৰা কণ্ঠৰোল বাদন শুনি মোৰ মন চাঁত কৰে সেই ফলীয়া হ'ল। অকস্মাৎ ৰণ বাদ্য যেন অনুমান কৰি চমক খাই উঠিলোঁ। বুৰঞ্জীৰ ঘটনা 'খনমা-ৰণ লৈ মনত পৰিল। সেই কৌতুহল মিটাবৰ নিমিত্তে পাৰ্য্যমানে খৰ খোজেৰে ঘোঁৰা চলাবলৈ ধৰিলোঁ। মেৰটো ঘূৰি দেখিলোঁগৈ যে, সেই সুমধুৰ বাদ্যৰ মূলত এদল নগা কুলিভাৰী; সিহঁতে পিঠিত একোটা চৰ্কাৰী মালৰ বোজা বৈ, দুটা দুটাকৈ শাৰী পাতি লৈ, নিশবদে তালমানযুত তিনি চাৰি প্ৰকাৰৰ কৌ-কা ফুটোৱা কণ্ঠৰোলবাদ্যেৰে আপোনা আপুনি শ্ৰমবোধ লাঘৱ কৰি নগৰৰ উদ্দেশে বাট খেদিছে। সেই গা তোলা যন্ত্ৰহীন বাদনৰ চেও ধৰি দুখ ভাগৰ পাতলাই সিহঁতৰ পাছ ধৰি ধীৰে ধীৰে গৈ আছোঁ, এনেতে এজোপা ফেৰ মেলা বাটকাষৰীয়া গছৰ তলত সিহঁত জিৰাবলৈ বহিল। সেই ছেগতে সিহঁতৰ সমূহলৈ চাই মই সুধিলোঁ, "জিলালৈ আৰু কিমান বাট আছে?" সিহঁতৰ মাজৰপৰা ভাৰ নোবোৱা নগা-দোভাষী এটাই এই বুলি মাত লগালে, "অঃ, হৰ নাই; যাবি, যাবি; ঘোঁৰা লৰিলে তিনঘণ্টাত পাবি যাই"।

তাৰপৰা ঘণ্টাদিয়েক অকোৱা পকোৱা হাবিতলীয়া বাটেদি ক্ৰমাৎ পৰ্ব্বত বগাই উঠি গৈ গৈ সন্ধিয়া পৰত কহিমা নগৰত সোমালেঁগৈ। মই আৰু তাক সুধি সুধি গৈ আছোঁ, তেনেতে নগা-দোভাষী এটাই মোক লগ লগাই সি ৺চন্দ্ৰমোহন গোস্বামী হেডমাষ্টৰ প্ৰভুৰ বহা দেখুৱাই দিলেগৈ। মই ঘোঁৰাৰপৰা নামিয়েই গুৰুদেৱৰ চৰণত পৰি প্ৰণিপাত কৰিলোঁ। মোক অকস্মাৎ দেখি বিস্ময় মানি প্ৰভুৱে এই বুলি চিঞৰি উঠিল, "হাঁ, ই কি! হাঁ, কি,—পদ্ম!" মই চৰণ এৰি মূৰ তুলি উঠি থিয় দি প্ৰভুৰ মুখলৈ চালোঁ। চাৰি চকুৰ সন্মিলনত দুয়ো ক্ষন্তেকমান

থৰ লাগিলোঁ। আনন্দত দুইবো চকু চলচলীয়া হ'ল।—মোৰ কহিমা-যাত্ৰাৰ সম্ভেদ মই ইচ্ছা কৰি প্ৰভুক দিয়া নাছিলোঁ এই দৃশ্য দেখিবৰ নিমিত্তেই।

কহিমা হাইস্কুল নামত মাথোন হাইস্কুল। ইয়াৰ পোন-প্ৰথম হেডমাষ্টৰ আছিল সুপ্ৰখ্যাত অসমীয়া-সাহিত্যিক ৺লম্বোদৰ বৰা। তেখেতে পাতি থৈ অহা মতেই তাত ডেৰ কুৰিমান বাৰে বৰণীয়া ছাতৰবে সৈতে তলৰ শ্ৰেণী কেইটামান মাথোন পতা আছিল। নিচেই তলৰ কেইটা শ্ৰেণীত নগ', কছাৰী, গৰখীয়া আৰু দেউচাৰালী ছাতৰৰ সংখ্যাই সৰহ; মাজে মাজে ছুটি-চাইটমান অসমীয়া আৰু বঙ্গালী ছাত্ৰবে সৈতে ওপৰৰ ছটামান শ্ৰেণী (তেতিয়া ৫ম আৰু ৪র্থ) পতা আছিল। আমি তিনটা থৈ পোৱাত, মোৰে সৈতে ১ম শ্ৰেণী, মধুবাবে সৈতে ২য় শ্ৰেণী, আৰু ইন্দ্ৰনাথবে সৈতে ৩য় শ্ৰেণী পাতি, কহিমা হাইস্কুলৰ গঠন সম্পূৰ্ণ কৰি লৈ, হেডমাষ্টৰ ৺চন্দ্ৰমোহন গোস্বামী প্ৰভুৱে নৱ উলাহেৰে শিকাদান আৰম্ভ কৰি দিলে। তাৰ আগলৈকে, প্ৰভুৱে স্কুল আগত থৈ, তাক তলৰ শিক্ষকৰ জিম্মাত গতাই দি, নিজে দৌলু কিতাপ-কাকতাদিৰ মাজত কিতাপৰ পোক হৈ, জ্ঞান-পিপাসা পলুৱাই সময়ৰ সদ্ব্যৱহাৰ কৰি চলিছিল।

কহিমা হাইস্কুলত আঁঠ মাহ পঢ়িলোঁ। তাৰ পিছত যথানিয়মে টেষ্ট-পৰীক্ষা দি তাত উত্তীৰ্ণ হলোঁ। সিফালে সেই কালৰ বিদ্যোৎসাহী ডেপুটী কমিচনাৰ মিঃ পোটিয়াৰ্ড চাহাবৰে সৈতে যুগুতি কৰি, কহিমাত এণ্ট্ৰেঞ্চ পৰীক্ষাৰ এটা কেন্দ্ৰ স্থাপন কৰাবলৈ হেডমাষ্টৰ প্ৰভুৱে কাৰবাৰ কৰিবলৈ ধৰিলে; ইফালে মই পৰীক্ষাৰ নিমিত্তে সাজু হোৱাত একাগ্ৰ পঠীয়া মনোযোগেৰে লাগি গলোঁ। পিছে, এনেতে, এমাহমানৰ পিছত, এই বুলি চৰ্চাৰী বাতৰি আহিল,—কহিমাত পৰীক্ষা কেন্দ্ৰ স্থাপন বিষয়ক প্ৰস্তাৱ অতি পলম হ'ল; গতিকে কহিমা হাইস্কুলৰ পৰীক্ষাৰ্থীজনে ডিব্ৰুগড় কেন্দ্ৰত পৰীক্ষা দিবগৈ লাগিব। সেই বাতৰি পাই হতাশ হলোঁহক। মুবামুৰি সময়ত, আদ্যাহমান বাটকুৰি বাই, বিশেষকৈ কহিমাৰপৰা গোলাবাটলৈকে এই ছোৱাত—ভীষণ বাটৰ বিবিধ অসুচল আৰু বিস্তৰ দুখ কষ্ট সহি, ডিব্ৰুগড় হেন দুৰণিৰ কেন্দ্ৰত গৈ পৰীক্ষা দিয়াটো আটায়ে অসম্ভৱ বুলিলে। মোৰ আৰু গুৰুদেৱৰ কিন্তু মন নাভাগিল। গুৰুদেৱ গোস্বামী প্ৰভুৱে আৰু তাৰ আগত এই বুলি মন্তব্য প্ৰকাশ কৰা শুনিলো যে, মই কোনো মতে পৰীক্ষা দিব গৈ পাৰোঁ যদি, পাঠ্য-শিক্ষাৰ বলত নহলেও, সাধাৰণ শিক্ষাৰ গুণত উত্তীৰ্ণ হবৰ সম্পূৰ্ণ আশা আছে। সেই ভবিষ্যদ্বাণীত উৎসাহিত হৈ, মোৰ প্ৰাণৰ লগৰী সেই উদ্ভ্ৰান্ত ঈশ্বৰপ্ৰেমিক বঙ্গালী বৈষ্ণৱ ভকতক লগত লৈ, কহিমাৰপৰা ডিবকলৈ পৰীক্ষা যাত্ৰা কৰিলোঁ। নানা অসুবিধা আৰু ভাগেমান অপায়-অমঙ্গল এবাই আহি থাকোতে সেই যাত্ৰাৰ পুৰা এপক লাগিল। বাটত পঢ়া-শুনাবে সৈতে যে সম্বন্ধ নাযেই, গা-মনৰ দুখ-ক্লেশৰ সীমা নাছিল। জাহাজৰ ছোৱাত মাথোন ভাগ্যে কোকিলা মুখৰ পৰা যোৱহটীয়া সহযাত্ৰী পৰীক্ষাৰ্থী এজোৰা লগ পালোঁ; সিবিলাকৰ মাজত মোৰ সমনীয়া বন্ধু অসম-উপত্যকাৰ ভূতপূৰ্ব্ব একটিং স্কুল-ইনস্পেক্টৰ বায়চাহাব শ্ৰীযুত দুৰ্গাধৰ শৰ্ম্মা বৰকটকী আৰু ৺লক্ষেশ্বৰ শৰ্ম্মা চৰ ডেপুটী কলেক্টৰ, এই দুজনো আছিল। সিবিলাকে মণ্ডলাকাৰকৈ জাহাজৰ মজিয়াত বহি আগন্তুক পৰীক্ষাৰ সম্ভৱপৰ প্ৰশ্ন ধৰা-ধৰি উত্তৰা-উত্তৰি কৰে, মই আচুতীয়াকৈ আঁতৰত বহি থকাৰ পৰা একাগ্ৰতীয়াকৈ মন পাৰি শুনি থাকোঁ। বাটত পৰীক্ষালৈ সাজু হোৱা মোৰ পক্ষে সিমানেই। কিন্তু তাৰপৰা যে সামান্য গুণ পালোঁ এনে নহয়, কেইবাটাও পঢ়িবলৈ বাকী থকা কিতাপৰ লাগতিয়াল শিকা সৰল সেই ছেগতে মই মোৰ মনত জুকিয়াই সাবি ললোঁ। এনেকুৱা দুৰ্দ্দশাত, ডিব্ৰুগড়ত গৈ আলহী বহাত থাকি, কোনো মতে পৰীক্ষাটো দি উঠিলোঁ। তাৰপৰা উনটি আহি, ৺বাইদেও আৰু ৺তিনীহিদেৰক সাক্ষাৎ কৰাৰ উদ্দেশে শিৱসাগৰত সোমালোঁহি। আহি পোৱা মাত্ৰকে তিনীহিদেৰে আগ্ৰহেৰে সুধিলে, "পন্ন! পৰীক্ষাত কেনে কৰিব পাৰিলি?" মই ততালিকে উত্তৰ দিলোঁ, "পাছ হবৰ আশা আছে; কিন্তু হলেও কথমপিহে"। তেখেতে হৰিষ চিতেৰে এই বুলি বুজনি দি কলে, "তোৰ অধীম সাহসিক যাত্ৰাৰ (adventurous trip) অপৰিচিত দুখ ক্লেশ আৰু ভয়াৱহ অপায়-অমঙ্গলৰ চাই, সিমানেই লাভ হলেও বহুত বুলি ভাবিম।" ফলিতাৰ্থত, বাস্তৱতে হেৰে হ'ল। মই এণ্ট্ৰেঞ্চ মহলাত উত্তীৰ্ণ হলোঁ, সেই বাতৰিয়ে মোৰ পুজনীয় গুৰুদেৱ ৺চন্দ্ৰমোহন গোস্বামী প্ৰভুৰ মনতো অপাৰ আনন্দ লগালে। তেখেতে সেই আনন্দত গৰগৰ হৈ, বন্ধুজনৰ আগত এই বুলি সন্তোষ প্ৰকাশ কৰিছিল,—"পন্ন মোৰ আটাইতকৈ দুখলীয়া শিষ্যপুত্ৰ; তাক এণ্ট্ৰেঞ্চ পাছ কৰোৱাৰ লগতে মোৰ শিক্ষকতাৰো আধা পৰিমাণ।" তাৰ পিছত, গুৰুদেৱ গোস্বামী প্ৰভুৱে পেপন লৈ চৰ্চাৰী চাকৰীৰ পৰা অৱসৰ গ্ৰহণ কৰিলে। কহিমা গৱৰ্ণমেণ্ট হাইস্কুলৰপৰা এণ্ট্ৰেঞ্চ পাছ কৰোঁতা মোতে আদি, আৰু মোতে অন্ত (ইং ১৮৯০ চন)।

ক্ৰমশঃ

বৈজ্ঞানিক জগত



টমাচ এডিচন



এডিচনৰ আবিষ্কৃত ফনোগ্ৰাফৰ কেবাটিও অৱস্থা আৰু অংশ।



হেলি জৰ্ডনৰ বোডিংঘৰ। ইয়াতেই আমেৰিকাৰ ভিতৰত পোন প্ৰথমে বিজুলি চাকি লগোৱা হৈছিল। এই ঘৰটো হেনৰি কোৰ্ডে মেৰামত কৰি ৰাখিছে।



এডিশ্যনৰ লেবৰেটৰী



এডিশ্যনৰ আবিষ্কৃত কাৰবন লেম্প, আৰু তাৰ সৰঞ্জাম বিলাক



এডিশ্যনৰ লাউড স্পিকিং টেলিফোনৰ সুইচবোৰ্ড ৰিছিভাৰ, হেণ্ডল, ডায়েফ্ৰাম, ইত্যাদি—



এডিশ্যনৰ আবিষ্কৃত ফনোগ্ৰাফ। এয়ে গ্ৰামোফোনৰ আদি পুৰুষ।



এডিশ্যনৰ সুসম্পন্ন ফনোগ্ৰাফ

কল্যাণময়ী

(১ম সংখ্যাৰ পিছৰপৰা)

নাটক—

—শ্ৰীযুত অম্বিকাগিৰি ৰায় চৌধুৰী

১ম অঙ্ক

৩য় দৃশ্য—গাওঁ

(বেলাভাঠি পৰত নিজৰ চোতালত একমনে ধপাত হুপি থকা খেদ্‌লা। এনে অৱস্থাত মোধু গৈ ওলাল।)

মোধু। কি এ খেদ্‌লা, খবৰ কি এ!

খেদ্‌লা। (হুকাৰ পৰা মুখ এৰি মোধুৰ ফালে মুখ কৰি) কি হবো ভাই! যেনা আৰু তেনা।

মোধু। মই কৱাদ্দৰে কোচ্ছিলি না?

খেদ্‌লা। কোচ্ছিলু তো, আৰো দেখু বেছিহে হবে।

মোধু। বেছি হবে—তই নাজ্‌নাহে কোৰবা; বেছি নহৈ হবো কি? মাৰ্‌বি তো মাৰ্‌বি মুখেদি গৰব অলকে মাৰবি। তেহে তিৰী ঠিক হবে।

(কাহি কাহি হবোৰ প্ৰবেশ)

হবো। (কহাৰ লগে লগে) কি এ ভাই! কি ঠিক হবাৰ কথা কোইছাহ্‌।

মোধু। এই তিৰীৰ কথা ভাই! তিৰী কি এনাই ঠিক থাকে। আহতে এক লাথ্‌থি, যাবতে এক লাথ্‌থি। মাৰি মাৰি মত্তেজা কোৰি দিবা পাল্লিহে, তিৰী কুক্‌ৰোদ্দৰে ঠিক হোই থাকে। নেদ্‌খিছাহ না আমাৰ তিৰীক; চালা মাত্‌পা পাৰে না।

হবো। অঁ তো ভাই! তিৰীক যিমেনে মিঠামুখে মাত্‌পি, সিমেনে সি বোজ্জাৎ হবে। তিৰীক সদাই কাড়াৰ উপ্‌ৰোত্‌ কাড়া।

মোধু। খেদ্‌লাই আৰো কৱে, বলে মাল্লিও তাত্তিৰী ঠিক নোহোই। সি কৱে, তাত্তিৰীৰ কামোৰ আজ্‌ৰি নাই, ছোলিৰ দাতি, এনা তাগ্‌বাগ্‌ কথা কোই সি ভুঁইৰ পেৰেন আহা মাত্ৰকে তাক গা ধুৱা পানী দিয়াত পলম কৰে, দুখ পোইতে একাৰ্‌বা কথা নকোই। মই তাক বুদ্ধি দিছ্‌লু, তই যেথেনে তাইক এনা কৰা দেখাহ্‌, তেথেনে আৰ্‌ অপৰ্‌ কথা নাই, চুলিত থাপ্‌ মাৰি ধোৰি বাগ্‌ৰে ফেলে, ভোৰিৰ পেৰেন মূৰোক লোগিন্‌ থেথ্‌লে দিবি। এনা কিছু দিন কোল্লি আপ্‌নি তিৰী ঠিক হবো নহৈ।

হবো। অঁ তো—তিৰীক আৰো কি দয়া মমত্‌ আছে! চালা, তিৰী বিয়া কৰোইছু নিজে সুখোত্‌ থাকিম বোলি। সি তিৰী যদি মৰদোৰ দয়া মমত্‌ নুবুজ্‌লাক্‌, তাক থেথ্‌লে ফেলৰ্‌হে কথা কোইছাহ্‌ না, কাটি দুদখ্‌বা কোৰি ফেল্‌বা লাগে। (মোধুৰ ফালে বীৰত্ব-সূচকভাৱে চাই) না কি কহ্‌ ভাই!

মোধু। এইহে আচল্‌ মৰদ্‌। এনা মৰদেহে তিৰী ঠিক ৰাখ্‌পা পাৰে!

হবো। (উৎসাহিত হৈ) ভাই নকবি দে। সিদ্‌না-খেন গৰমোত্তাপোত এনাই জুলুম হৈ আছু, শুন্‌লু ভাত হবাই নাই—পাছোৰ ফালে যাই দেখু গা ধুবা পানীও তুলি থবাই নাই—কবাহে পালু—দিলাক পাগোৰ পেৰেন উত্তৰ বৰেৰ পুৱাৰ পেৰে একতিল চুত্তি পাৱা নাই, এক্‌লা এক্‌লি ধান দুই বিহি বান্ধ্‌লু, ঘৰ-চতল সাল্লু-মুছলু চাউল দুই সাজোৰ চোল্লু, এক কুৰি দেৰ কুৰি কাপুৰ ধুলু—মই কিবা বোহি আছু না—ইফালে ছোলিৰ দাতি, এথেন আজ্‌ৰি পাই ভাত বান্ধ্‌বা আইছু। মই বোলু আইহিলও গা ধুবা

গানী দিম—সিগুস্তি তুলি ধরা নাই। ভাই নকবি যে, কথা শুনি গা জোলি গেল। চুলিকছাত থাপ মারি ঘোরি গাগোর পেরেন টানি আনি ঠুকি দেছু। মুখেদি গল্লা আইভা ধোল্লাক! চালা, গাব বিহোত ৫ দিন উঠ্‌পা পারা নাছিল।

মোধু। (হবোর পিঠিত সক সকৈকে চপবাই) চাবা-ইচ্‌! এইহে আচল মবদ! (জেল্‌লাব ফালে ইঙ্গিত কবি) তাকো মই এই বুদ্ধি দিছ্‌লু নহেঁ।

জেল্‌লা। ভাই, হাজার হলিও দয়া-মমত এবি এনেকে তিবীক মাবরা নোবিদে আব্‌।

মোধু। এনেকে নবাহ্‌ খুস্তিতো তিবী তোব কুকুবো-দবে হৈ নাথকে।

(দুবত জেল্‌লাব বৈণীয়েকে কোলাত কেচুহা লবাটো লৈ বেবাব জাঁবত আধা ওলোরা নোলোবাভাবে ধিয় হৈ—)

জেল্‌লাব বৈণীয়েক। (ধীব স্বৰেবে) হে মোব বাপেকে উঠ্‌টে দিবা আইছে হবো। মাবক দেবক, আমাব্‌ তিবী মানুহোব কি আছে। আমি এনেই মোবি আছু—যদি মাল্লিও মাল্লাক মবদে মাল্লিও মাল্লাক। আমি তিবী মানুহ হোইছু মহ্‌বিব্‌ তলাব মহ—মবদে যি ইচ্ছা তাকে কোবরা পাবে।

(কৈয়ে জেল্‌লাব বৈণীয়েক গুচি যায়)

মোধু। (হবো আক জেল্‌লাব ফালে চাই) দেখ্‌ছাহ চট্টচটনি! (জেল্‌লাব বৈণীয়েকব ফালে মুখ কবি মুব ডুপিয়াই ২) মই হবা লাগ্‌ছিল তোব মবদ! আহ ভাই আমি যাওঁ এখেন—ভাত খাবাব হোইছে সেন পাওঁ।

[মোধু হবো ছুয়োবো প্রস্থান।

(তৎক্ষণাৎ পট পবিবর্ত্তন)

(জেল্‌লাব চৌতালব ঠিক ওচবে এক মবব চৌতাল)

(এজনী আধা বয়সীয়া শাহুবেকে গাতক বোবাবীয়েক চুলিত ধবি চব, চুকু, খোকোনা ইত্যাদি মাবি "ইখেন্‌ ইখেন্‌ মুখ বেটীব" ইত্যাদি কথা কৈ টানি লৈ আছে।)

শাহুবেক। (বোবাবীয়েকব মুখত খোকোনা মাবি মাবি) ইখ্‌খেন্‌ মুখেদি বেটী তই কথা কোইছিলি! ইখ্‌খেন্‌ মুখেদি, ইখ্‌খেন্‌ মুখেদি বেটী! ইমেন্‌ ফাকি তোব!

বোবাবীয়েক। (শাহুবেকে চুলিত ধবি তলমুব কবি বগা অবস্থাতে দুই হাতেদি মুবব দুই কুমত টিপি ধবি) আই ঐ মই মোদু, আই ঐ মই মোদু! মোক খাহ্‌ কিও আইহেবে! এবি দি মোব জীবনটু বক্ষা কব আইহেবে! বাপাব ঠাকুবেণী বোলছু মোক এবি দি আইহেবে! (কৰুণ সুবেবে কান্দি কান্দি)।

শাহুবেক। বেটী, ইমেন পস্তাপ তোব!

(দুবত বুদোব মাকব প্রবেশ)

বুদোব মাক। হেবে নিতোতিব মাএক! হেবে কি হোইছেবে—এই ববেব পুবাই কি কাইজাখেন লোগোইছাহ্‌।

শাহুবেক। আইহেবে একদেনমেন্‌ ইফালে আহ। পাছে আবো মোকে দোহ দিবি। বেটী মোক জ্বালাকালা কোবি খাবা খোচ্ছে।

বুদোব মাক। (ওচব চাপি আছি থং মুখে) দে ছু কো, কি হোইছে কো!

শাহুবেক। (মাজে মাজে বুদোব মাকব ফালে, মাজে মাজে বোবাবীয়েকব ফালে চাই)। আইহেবে! ইমেন্‌ বেলাক লোগি ফাকি কোবি ঘুমে আছে মুবোব বিহ হবা বোলি। কিও, তই বি এনেকে ফাকি কোবি ঘুমে থাকাহ্‌, ইগ্‌লাখেন কুনি কোবি দেই! ববেব পুবাই উঠি বন-বাবি কোববা নালগে! কালি বাতি দুই পখ্‌লি ধান বাঢ্‌ছিল, তাতে তাইব মুবোব বিহোত বলে ঠাই নহবা হল।

বুদোব মাক। (খংভাবে) আইহেবে, ছোলি মানুহ, মুবোব বিহ উঠ্‌লা পাবে দেছু। তইনু আপীটুব দুখ পোই-তবা নালগে না আইহেবে!

শাহুবেক। কিও, তাইনু দমদইমা তিবীটুব মই কি দুখ পোইতবা লাগে। মোবহে তাই দুখ পোইতবা লাগে। যদা বিদা কবে আনছু দুখ পোইতবাক্‌ লোগি না!

(বোবাবীয়েকক লক্ষ্য কবি) বেটী, এনাকে মাবি মাবিয়ে তোক মই মজেজা কোম্বি।

বুদোব মাক। আইহেবে নেদ্‌লাক ফাকি, দিলাকে দেছুন, এনেকে দু খুন্‌ হয়াকে মাব্‌বা লাগে না। ছোলি মানুহ, মাএক এবি আইছে, বাপেক এবি আইছে—তইএ মাএকো হোইছাহ্‌, বাপেকো হোইছাহ্‌—তই দুখ নোপোইতলি কুনি পোইতবো। ছোলি মানুহ—দুখ-মমত বুজ্‌বা লাগে দেছুন। আজি দু দিনইএ বনখেনি কোবি খানি কি হল! (বোবাবীয়েকব ফালে চাই) ইঃ ইঃ এনেকে মাচ্ছাহ্‌ তই আপীটুক !—তেজে একলগে ধাধ্‌ খোচ্ছে।

শাহুবেক। (বুদোব মাকব ফালে থংমুখে চাই) তইও উপাব মাতাহে অন্নি না আছি? ভালোকপতি তোক সাইথনু মাতি আনি—তই আবো তাইক তুলি দিবাহে আইছাহ্‌। (বোবাবীয়েকব ফালে চাই) সাত বছবেব হবা হোইতিহতোব ইবেন্‌ তুলনি পাইএ তো তাই ইমেন-খিনি কোববা ধোচ্ছে মোক্‌, বেটী।

বুদোব মাক। যা, যা, তোব চবব ভাল নহে। এক-দিন নহে, চিবতিকাল তোব এই আফ্‌লে মবা। আপীটু আহা দিন ধোবি মিহাই সাঁচাই তোব শুনিয়ে আছু।

শাহুবেক। (বুদোব মাকব ফালে থং কবি) বেটী, ভালে ভালে গুচি যা এখেন। এনেই বেটীব বক্ষা নাই, তাতে আবো তই তুলি দিবা আইছাহ্‌। (বোবাবীয়েকব গাত ভুক্কু মাবি) বেটীক আবো মাক দেছু, তই কেনেকে বাখাহ্‌ বাখ্‌।

বুদোবমাক। আপীটুক খাই নথই কিও বেটী! সর্ব্বতিকাল তোবহে হাই-হাহাকাব শুনি আছু, ববেব মুখোব্‌ মাত এটাও শুনা নাই। আই! চিকাহো! এনাও খাই-খোইবালা তিবী থাকাহ্‌।

শাহুবেক। (বুদোব মাকক লক্ষ্য কবি) বেটী, আবো কোইছাহ্‌ না, বাপে আবো মাক দেছুন বেটীক, কেনাকে বাখাহ্‌ বাখ্‌ (বোবাবীয়েকক মাবে, বোবাবীয়েকে আর্ত্তনাদে কান্দিব ধবে)।

বুদোবমাক। (ব্যস্ত হৈ) চা, চা, চুচা, আপীটুক বেটী কেনেকে খাই চা। বেটী তোকো মই মাল্লু কি হল (খেবি গৈ শাহুবেকব চুলিত ধবি তলমুখে টানি নিয়ে) তোব ববে হল বোলিস্থ তই এনেকে মাব্‌বি না বেটী! তাইব মাএক বাপেক আগোত নই হল বোলি হাইটাকুইছাও নই হল না বেটী!

শাহুবেক। (চুলিব পবা বুদোব মাকব হাত একবাকব চেষ্টা কবি) মই মোব ববিক মাল্লু, তোব কি হল বেটী! এবি দি, ভালে ভালে এবি দি!

বুদোবমাক। তোব ববেক তই মাল্লি মোব কি হল! মই মানুহ নহেঁ বেটী! ছোলি মানুহ, আশ্রয় নাই যুক্তি তাইব উপ্‌বোত তোব এনা অত্যাচাব বেটী! মোব মনোত্‌ দুখ নালগে, মই হাইটা-কুইছো নহেঁ বেটী!

("নাআবিবা" "নাআবিবা" "ঈশ্বব দোহাই" ইত্যাদি উত্তেজিত সুবেবে কৈ ভগবানব প্রবেশ। আক ভগবানব গম্ভীব সুবত চক্‌ ধোৱা যেন হৈ শাহুবেক আক বুদোবমাকব চুলিত ধবাধবি কবি প্রস্থান।)

ভগবান। (মাটিত বাগবি কান্দি থকা বোবাবীয়েকব ফালে দেখুবাই জগতক উদ্দেশ কবি আনফালে চাই)

জগৎ। চোখা চকু মেলি
দুর্ব্বলাব লাহনা কিমান।
দুর্ব্বলাব দুর্ব্বল কণ্ঠত
বাজিব ধবিছে কেনে কৰুণ বিলাপ।
মর্ম্মভেদী এই আর্ত্তনাদে
কঁপোরা নাই নে তোব অলপো অন্তব?
অবলাব আর্ত্তনাদ শুনি
এটুপিও অশ্রু বোবা নাই নে চকুত?
ইমানে হৃদয়হীন তই!
নহলে—
তোব সেই কদ্রমূর্ত্তি
ধীব স্থিব শান্তভাব ধবি
বব কিয় এই দৃশ্য চাই?

(বাগবি কান্দি থকা বোবাবীজনীব ওচব চাপি)

আহা!
মাতৃকণী জননীব স্বর্গীয় প্রতিমা,

দানৱৰ অত্যাচাৰ সামৰি বুকুত,
পৰি আছে নিৰাশ্ৰয় হৈ।

(বাহিৰৰ ফালে চাই)

আছা নে দেশত এনে বীৰৰ সন্তান,
দৈত্যৰ মুঠিৰ পৰা,
মুক্ত কৰি সোণৰ প্ৰতিমা,
মঙ্গলৰ আশীৰ্ব্বাদ লবা ?
আছা নে কোনোবা এনে সৱল মনৰ,
সৱলৰ কুইচ্ছাৰ প্ৰতিদ্বন্দ্বী হৈ
দুৰ্ব্বলক কৰিবা সহায় ?
নাই—নাই কোনো তেনে জন—
সমগ্ৰ জগতখনে হৃদয়বিহীন।
ভগৱান !
অবিচাৰ কিমান তোমাৰ।
তোমাৰ সৃষ্টিৰ অতি উন্নত বিকাশ,
ৰূপে-গুণে নাৰীৰত্ন এই,
তোমাৰ সৃষ্টিতে আজি লাঞ্ছিতা দলিতা।
গৰাকী সৱলে নেকি তোমাৰ সৃষ্টিত,
দুৰ্ব্বলে নোৱাৰে নেকি থাকিব ইয়াত ?
বন্ধু নেকি সৱলৰে তুমি,
দুৰ্ব্বলক ফিৰিয়ে নোচোৱা।
তেনেহলে,
বলহীন কৰি কিয়
সৰজিলা অবলা জাতিক ?

(বোৱাৰীজনীৰ ওচৰত গৈ থিয় দি চাই থাকে।)

(দূৰত শাহুৱেকৰ প্ৰবেশ)

শাহুৱেক। (চকু থিৰ কৰি আটাহ ধৰে) ও মোৰ আইহঁত, ও মোৰ বাপাইত, এনাও তিৰীৰ পৰকৰম্ কোবাত্ দেখ্ছাহ না চা আহি। ইমেন্খিনি কোৰি বেটীৰ হুতাহ নপলল, আৰো এই ৰাইজোত নহঁ পৰকৰম্। বাপে ৰহ্, বাপাক মাতে আনু—

[বেগেৰে প্ৰস্থান।

ভগৱান। আই ! উঠা !

এনেদৰে কান্দিকাটি ধূলাত বাগৰি,
দানৱৰ কঠুৱা প্ৰাণত,
অলপো কৰুণা নোৱাৰিবা ওপজাব।
নিজে তুমি শক্তি লৈ নিজৰ প্ৰাণত,
এই মহা অত্যাচাৰ সহিবৰ হকে,
হোৱা তুমি সৱল জননী !

(পুতেকক লৈ শাহুৱেকৰ প্ৰবেশ।)

শাহুৱেক। চা, বাপা চা, তাইৰ ইমেন পত্তাপ !

পুতেক। (লৰি গৈ থাপ মাৰি ভগৱানৰ গলত ধৰি) বেটা, ইমেন্ সাহ্ তোৰ ! তোক্ আজি যম্ নাল্গা কোৰিম্ বাপে।

ভগৱান। (গলত দুখ পাই উক্বুক্ কৰে আৰু পুতেকৰ হাত একৰাবৰ চেষ্টা কৰে)

পুতেক। (আৰু টানকৈ ভগৱানৰ গলত ধৰি) বেটা যাবি কোক্ ! এই টিপাই তোক শেষ কোৰিম্। ইমেন সাহ তোৰ ! মোৰ ঘৰত আহি বিন্ধা দিছাহ তই ! (ভগৱানক চৰ, ভুকি, লাথি মাৰি বগৰাই থৈ বোৱাৰীৰ ফালে চোচা লয়) চালী, তোকো আজি মই যম নাল্গা কোৰিম্। (চুলিত ধৰি খুব মাৰিব ধৰে আৰু বোৱাৰীয়ে কৰুণ আৰ্ত্তনাদ কৰি কান্দে) বেটী, ইমেন্ পত্তাপ্ তোৰ্ !

ভগৱান। (উঠি অতি ব্যস্ত কৰুণ সুৰেৰে) হেৰা হেৰা ! বোপা বুলিছোঁ, কাবৌ কৰিছোঁ, তোমাৰ যিমান খং মোৰ ওপৰত জাৰা ; মইহে দোষী—তোমাৰ স্ত্ৰীৰ একো দোষ নাই, তেওঁক এৰি দিয়া বোপা !

পুতেক। (ভগৱানক গৈ থাপ মাৰি ধৰি) এৰি দিম্ বেটা ! তাইকে তোকে দোকে আজি একলগে খোৰি দিম্ (কেইচৰমান মাৰি ভগৱানক বগৰাই পেলায়)।

ভগৱান। মাৰা, মাৰা বোপা, মোক যিমান পাৰা মাৰা—তোমাৰ স্ত্ৰীক মুঠেই নামাৰিবা—তেঁও একো দোষ কৰা নাই।

পুতেক। (ভগৱানৰ ফালে চাই) মোত্তিৰীক্ নাম্ৰি তোত্তিৰীক্ মাৰিম্ না বেটা। (বোৱাৰীক বৰ জোৰে লাথি

মাৰি) যা, মোৰি যা বেটী ! (বোৱাৰী বাগৰি পৰি ভীষণ আৰ্ত্তনাদ কৰে।)

(ভগৱান উঠি থিয় হৈ)

ভগৱান। নুশুনিলি ! পাষণ্ড, অধম, নুশুনিলি ; মাতৃমূৰ্ত্তিৰ প্ৰতি সদয় নহলি ! এই কৰুণ বিননিত তোৰ প্ৰাণ অলপো নগলিল। বাৰু, ইয়াৰ উপযুক্ত শাস্তি পাবি। মাতৃজাতিৰ মৰ্ম্মদাহী এই অশ্ৰু অগ্নিয়ে তোৰ দৰে লক্ষ লক্ষ দানৱক ভস্ম কৰি পেলাব।

[বেগেৰে প্ৰস্থান।

পুতেক। (তিৰীজনীৰ চুলিত ধৰি চোঁচাৰাই টানি নিয়ে) আহ বেটী তোক্ আজি জীয়াতে জীয়াতে পুৰি মাৰিম্।

[প্ৰস্থান।

৪ৰ্থ দৃশ্য

(মন্ত্ৰীয়ে কাৰ্য্যালয়ত ৰাজকাৰ্য্য কৰি থকা অৱস্থাত, ছদ্মবেশ লৈয়েই হঠাৎ কিছু উত্তেজিতভাৱে চক্ৰধ্বজ উপস্থিত। দেখি মন্ত্ৰীয়ে সসম্ভ্ৰমে থিয় হয়।)

চক্ৰধ্বজ। মন্ত্ৰী ! দেশত সম্প্ৰতি
মঙ্গলৰ সফলতা পূৰাবৰ হকে,
ৰাজশক্তি পূৰ্ণৰূপে প্ৰয়োগিব লাগে।
দণ্ডনীতি কিছুদিন সম্বৰণ কৰি,
শিক্ষানীতি প্ৰবৰ্ত্তন কৰা।
তেতিয়াহে,—
দেশ জুৰি ভৰি থকা
দীনতাৰ অন্ধকাৰখিনি,
পূৰ্ণতাৰ আশীৰ্ব্বাদ পৰি,
উঠিব উজ্জ্বল হই।

মন্ত্ৰী। মহাৰাজ ! উচিত প্ৰস্তাৱ—
অলপো সন্দেহ নাই তাত।
কিন্তু এই মহাসিদ্ধি পূৰ্ণ কৰা বাট
নিৰাপদ নহয় সমূলি।
দণ্ডনীতি একেবাৰে পৰিহাৰ কৰি
শিক্ষানীতি ধৰা হয় যদি,—
নিছলা আমাৰ দেশ—
শিক্ষাৰ আলোক পাই,
পূৰ্ণৰূপে আলোকিত নোহোৱালইকে,
নানাবিধ উপদ্ৰৱ দেশত সোমাই
শাসনত বিশৃঙ্খলা ওপজাব পাৰে।
শিক্ষাশক্তি প্ৰচণ্ড হলেও
গতি তাৰ নীচেই সুধীৰ।

চক্ৰধ্বজ। কিন্তু মন্ত্ৰী !
সংস্কাৰৰ সুবিশাল মুকলি দুৱাৰ
মেলি দিয়ে শিক্ষাই মাথোন।
সংস্কাৰৰ সফলতা
লাভ কৰি লব খোজা দণ্ডনীতি ধৰি
বিচাৰৰ বিষম বিভ্ৰাট।

মন্ত্ৰী। তথাপিতো, মহাৰাজ !
শিক্ষাই পূৰ্ণতা লৈ, দেশত সোমাই,
দেশৰ যতেক দৈন্য দুগুচুৱালকে
দণ্ডনীতি এৰি দিয়া নহয় উচিত।
দণ্ডনীতি শিক্ষানীতি সমানে চলাই,
শিক্ষাৰ শক্তিৰে—
দুষ্ট মূৰ্খ বুদ্ধিবোৰ নাশি,
সকলোকে, নিজ নিজ অধিকাৰ ধৰি,
শান্তি-সন্তুষ্টিত বাস কৰাব যেতিয়া,
তেতিয়াহে দণ্ডনীতি তলত পেলাই,
শিক্ষাৰ সুতীব্ৰ গতি চলিব আপুনি।

চক্ৰধ্বজ। কিন্তু মন্ত্ৰী !
শিক্ষাৰ পোহৰ লই
জ্ঞানপথ ধৰি নাগুৱালে,
নঘটিব সংশোধন কদাপি দেশৰ।
এই অন্ধকাৰ,
দুখ দৈন্যতাৰ ঘোৰ আৰ্ত্তনাদ,
থাকি যাব চিৰকালল'কে।
দণ্ডনীতি' অশান্তিক উত্তেজনা দিয়ে।
সেই দণ্ডনীতি ধৰি
শান্তি লাভ কৰিব খুজিলে,

অশিক্ষিত প্ৰজাৰ অন্তৰ
সংশোধিত নহব কদাপি।

মন্ত্ৰী। সঁচা মহাৰাজ! কিন্তু—
দাসত্ব বিষত,
কলুষিত বিদেশৰ আকাশ বতাহ,
তাত এনে নিৰুদ্বেগ সংস্কাৰ চেষ্টাই,
মুকলি গতিৰে নোৱাৰে চলিব।
মহাৰাজ!
পাহৰি স্মৃতিৰ পৰা দাসত্ব দিল্লীৰ,
নিৰুদ্বেগ শান্তি বিচাৰিলে,
কৰ্ত্তব্যত অৱহেলা হব।

চক্ৰধ্বজ। নাপাহৰোঁ মন্ত্ৰী, নাপাহৰো—
যি স্মৃতিয়ে অন্তৰৰ পতিটো অণুতে
প্ৰলয়ৰ দাবাগ্নি জ্বলায়;
আঘাতেৰে নিব খোজে কলিজা উভাৰি,
কেনেদৰে সেই স্মৃতি পাহৰিম মই?
কিন্তু মন্ত্ৰী! কওঁ দাঠি—
এই স্মৃতি স্মৰণত
সু-উজ্জ্বল আলোক ৰেখাৰে
খোলা হব বুৰঞ্জীৰ নতুন অধ্যায় এটি।

[লাহে লাহে গম্ভীৰ খোজেৰে প্ৰস্থান।

মন্ত্ৰী। ফলিছে উদ্দেশ্য মোৰ—
শান্তিপ্ৰিয় নৰপতি, উদাৰ চকুৰে,
অধীনতা ঢাকনীকো অতিক্ৰম কৰি,
শান্তিৰ মোহিনী মূৰ্ত্তি দেখি লব খোজে।
অধীনতা বিষ কিন্তু
শান্তিৰ কিমান বিপৰীত,
ভালদৰে চিন্তা কৰি চাবকে নোখোজে।
প্ৰকৃত ঔ হ পৰিছে হাতত। [প্ৰস্থান।

৫ম দৃশ্য

(সময়—সন্ধিয়া, আগত সৰু চাকি এটি, জুইশাল, হোকা, টিকিৰা, কানি খোৱা সকলো সৰঞ্জাম লৈ কানীয়া ৩জন।

১ম কানীয়াই হোকাৰ নলী, মুখেৰে হোপে।

২য় কানীয়াই এডাল কাঠীৰে হোকাৰ মুৰৰ টিকিৰাত জুই লগাই দিয়ে।)

১ম কানীয়া। (নলীত হোপা মাৰি) লাহেকৈ দিবি বোপা, লাহেকৈ দিবি, সৰহকৈ লগাই দিলে টিকিৰাটো সোনকালে পুৰি যাব নহয়।

৩য় কানীয়া। (২য় কানীয়াৰ হাতৰ পৰা জুইৰ কাঠী ডাল টান মাৰি আনি) হেৰ, দেচোন, তই নেজান, মই লগাই দিওঁ। (খাটিটো কাঢ়ি অনাৰ সময়ত কিছু টনা-আজোৰা কৰি পাছত খাটিটো এৰি দি ২য় কানীয়াই ৩য় কানীয়াৰ ফালে ঘোপাকৈ চাই চাই মুৰ ঢুপিয়াই থাকে। ৩য় কানীয়াই হোকাৰ টিকিৰাৰ মুৰত কাঠীৰ জুই লগাই দি) তয়ো লাহে লাহে টানিবি পাই—সোপাকে তয়ে পুৰি পেলালি, আমালৈ নো ৰ'ল কি পাই?

১ম কানীয়া। নেখাওঁ বোপা সোপাকে। মইনো কিবা ৰাইকস্ নে?

২য় কানীয়া। (৩য় কানীয়াৰ ফালে আগৰ সেই অৱস্থাৰেই ঘোপাকৈ চাই ধীৰ সুৰেৰে) মই নজনা হলোঁ, তই বৰ জনাটো ওলালি! সকৰে পৰা নহলেও দহমোন কানি পুৰিলোঁ, টিকিৰা মাৰি মাৰি হাতৰ কৰ ফুটালোঁ, এতিয়া মোতকৈ তই বৰ জনাটো ওলালি!

৩য় কানীয়া। মোতকৈ জান যদি, বাৰু কচোন, টিকিৰা খালে কি কৰিবলৈ মন যায়?

২য় কানীয়া। (গম্ভীৰ অথচ খংভাৱে) মোক সুধিছ তই, টিকিৰা খালে কি কৰিবলৈ মন যায়!

১ম কানীয়া। হেৰ, বোপা হেৰ, তইতে এথোন কাজিয়াখন লগাই আমাৰ কামটোও নাশ কৰিবি এথোন। টিকিৰা খালে আৰু কি কৰিবলৈ মন যায়—চুৰ কৰিবলৈ মন যায়। (২য় কানীয়ালৈ নলীডাল যাচি) হোপা বোপা, হোপা,—এহোপা এহোপা সকলোৱে লোৱা; পলম হলে দুৱাৰত চাবি লগালে তামোল ঠোক চুৰ কৰিবও নোৱাৰিবি, কাইলৈ টিকিৰা হুপিবলৈও ধন নোহোৱা হব। বোপাইত শেহ কৰা সোনকালে—এই আন্ধাৰ হৈ আহিল।

২য় আৰু ৩য় কানীয়া। সঁচা পাই, সঁচা। (লৰা লৰিকৈ এজনৰ পাছত এজনে নলী হুপিব ধৰে)

১ম কানীয়া। ব'লা বোপা ব'লা, কামৰ মানুহ কামলৈ যাওঁ।

[সকলোৰে প্ৰস্থান।

ষষ্ঠ দৃশ্য

(ৰাতি দুপৰ—টোপনিত নিপয়হ এখন গাওঁৰ বাটৰ মুৰত থিয় হৈ ছদ্মবেশেৰে চক্ৰধ্বজ।)

চক্ৰধ্বজ। ছদ্মবেশ ধৰি,
গাৱেঁ গাৱেঁ ফুৰি,
দেশৰ অৱস্থা বহুত দেখিলো মই।
শিক্ষাহীনতাৰ কি ভীষণ পৰিণাম!
অজ্ঞানতা অন্ধকাৰে
কি দুৰ্গতি কৰিছে দেশৰ।
পৰাধীনতাৰ কেনে বিষময় ফল!
দুৰ্ব্বলৰ ওপৰত
সবলৰ, কি ঘৃণনীয় শক্তিৰ প্ৰয়োগ।
প্ৰভু!
স্বাধীনতা সবলৰে নে কি?
দুৰ্ব্বলৰ স্বত্ব নাই তাত?
নহয়, নহয় প্ৰভু!
তোমাৰ বিশ্বাস এই কদাপি নহয়।
এনে প্ৰেমহীন নিদাৰুণ বিধি,
নোৱাৰে তোমাৰ হব।
তুমি—
প্ৰেমময়, দয়াময়, স্নেহময়।
(অলপ ইফাল সিফাল ঘূৰি চিন্তাযুক্ত হৈ)
বাৰু,
কল্যাণৰ ওচৰৰ পৰা—
ফিৰি আহোঁ গৈ।
বিবাহৰ প্ৰস্তাৱ দিয়াত,
নিজে মোক আহ্বানিছে দূতৰ আগত।
তাৰ পাছে যথাযোগ্য ব্যৱস্থা কৰিম।
তেনে গুণৱতী, সুশিক্ষিতা,
শৌৰ্য্যময়ী নাৰীৰত্ন,
পাৰোঁ যদি সঙ্গিনী কৰিব,
বহু শক্তি পাম মই ৰাজ্য শাসনত।

[লাহে লাহে গম্ভীৰ খোজেৰে প্ৰস্থান।

—ক্ৰমশঃ

কহিমাত দুমাহ

(৩)

—ৰায় ছাহাব শ্ৰীযুত গোপিকাবল্লভ গোস্বামী

কহিমাত থকাৰ ভিতৰতে মই মণিপুৰ চাবলৈ গৈছিলোঁ। লগত কাকো নিয়া নাছিলোঁ। মাথোন কাম-বন কৰা ল'ৰা এটা গৈছিল। কহিমাৰ পৰা মণিপুৰলৈ ৮৭ মাইল। পকীবাট। লৰিৰ ভাড়া ৸০ অনাৰ পৰা দুটকালৈকে। দিনৰ ১০ আৰু ১১ বজাৰ ভিতৰতে কহিমাৰ পৰা যাব লাগে। দিনৰ ১২ মান বজাত মাও থানা পালো। মাও থানা কহিমাৰ পৰা ২০ মাইল দূৰৈত, মণিপুৰ ৰাজ্যৰ ভিতৰত। কহিমাৰ পৰা ১১ মাইল গৈ বাওহাতে জেখামা বুলি এদোখৰ ঠাইত এটা ছৰ্কাৰী বঙ্গলা দেখিলোঁ। এই ঠাই ৫৫০৪ ফুট ওখ আৰু নাগাহিল

ৰ ভিতৰত। মাওথানা ৫৬০০ ফুট ওখ। ইয়াত ঘৰ, টেলিগ্ৰাফৰ আপিচ্, থানা আৰু এটি ছৰ্কাৰী না আছে। দুঘৰমান কেঞাও আছে। চাহ আৰু লুচি ঞা বাবু এজনে দিয়ে। পাছে বৰ লেতেৰা দেখিলোঁ। ত দুখন গেট আছে। মণিপুৰ আৰু ডিমাপুৰ দুই ফালৰ া অহা লৰি ইয়াতে লগ খায়। শ্বিলং-গুৱাহাটী বাটত পুত cross কৰে। ডিমাপুৰ-মণিপুৰ বাটত মাওথানাত oss কৰে। ইয়াত শাওণ-ভাদ মাহতো প্ৰচুৰ পৰিমাণে াকৰি পোৱা যায়। দাম গোটে তিনি চাৰি পইছা। গাই খেতি কৰিছে। সিহঁতৰ খেতিলৈ গ'লে হেনো াৰু সস্তাত পায়। এই কবি ডিমাপুৰত গোটে দহ পইচা ত'নি অনা। গোলাঘাট বা যোৰহাট পালেই ছ-অনা া সাত অনা হয়। ষ্টেণ্ডাৰ্ড ১২ বাজি ১৫ মিনিটত গেট লি দিয়ে। বাটৰ মাজতে সৰু টিলা এটি আছে। ণিপুৰলৈ যোৱা লৰি টিলাটোৰ এহাতে যায়। মণিপুৰৰ ৰা অহা লৰি অইন হাতে আহে। মাও থানাতে পাছ ায়। থানাৰ দাৰোগাৰ ওপৰত এই ভাৰ আছে। তেওঁ এজন মণিপুৰীয়া মানুহ। পাছ নেথাকিলে কাকো যাবলৈ নিদিয়ে। ইয়াত হালধীয়া চম্পাফুল দেখিলো। গোন্ধে মোলমোলাই থাকে। নগা ল'ৰাই হাতে হাতে লৈ ফুৰায়। পইছা বা বিৰি পালে দিয়ে। নেপালী তিৰোতা দুজনীয়ে খিলি পাণ চিগাৰেট বেচে। এই অঞ্চলত টেটলাৰ আৰু আক্‌বৰ চা চিগাৰেটৰ বৰ চলতি দেখিলো। মুখত চেলেউ এটা নহ'লে মণিপুৰীয়া ড্ৰাইভাৰে আধ ঘণ্টাও যাব নোৱাৰে। কহিমাৰ পৰা মণিপুৰলৈকে যাওঁতে আক-ৰৰ চা চেলেউৰ দহোটীয়া বাকচ্ এটা লাগে। এজন ড্ৰাইভাৰক কিয় ইমান চেলেউ খায় এই কথা সোধাত মোক যি ক'লে তাৰ পৰা মই ইয়াকে বুজিলো যে চেলেউ নেখালে তেওঁৰ হেনো 'আইডিয়া' ঠিক নহয়। মাও থানাৰ পৰা ১৩ মাইল গৈ মৰাম বুলি এদোখৰ ঠাই পায়। তাত এটা ছৰ্কাৰী বঙ্গলা আছে। এই ঠাই ৪৫৯৬ ফুট ওখ। মাওথানাৰ পৰা মণিপুৰ ৰাজ্য আৰম্ভ। বাটৰ বঙ্গলাবিলাক মণিপুৰ ৰাজ্যৰ সম্পত্তি। ইয়াত লৰি নৰয়। কিন্তু বহুত নেপালী আৰু এঘৰ কেঞা দেখিলো। ইয়াত ঘিঁউ আৰু গাখীৰ বেছিকৈ পোৱা যায় আৰু সস্তাও। কহিমালৈকো ইয়াৰ ঘিঁউ যায়। ইয়াত ভাল ঘিঁউৰ দাম খুচুৰাকৈ সেৰে ১॥০ টকা। মাওথানাৰ পৰা চাৰি মাইল-মান আহিলে আৰু ক্ৰমে তললৈ নামিব লাগে। মৰামৰ পৰা ১৩ মাইলমান গলে এখন পকী দলং পায়। এই দলংখনৰ ওপৰে বৰাক নৈ পাৰ হব লাগে। এই ঠাইত নৈখন নিচেই ঠেক। ১৯০৫ চনত এই দলং সাজে। নৈখন পাৰ হৈ এটা চৰ্কাৰী বঙ্গলা পায়, এই ঠাইৰ নাম কাইৰং। ওখ ৩৩৯৬ ফুট। ইয়াত কেইঘৰমান নেপালী আৰু কেঞাৰ দোকান এখন দেখিলো। ইয়াৰ পৰা ১৩ মাইল গৈ কাংপক্‌পি বুলি এদোখৰ ঠাই পালো। তাতো নেপালীৰ আৰু কেঞাৰ দোকান দেখিলো। নেপালী তিৰোতাই তপত গাখীৰ আনি লৰিতে যোগায়। দাম সেৰে এক অনা। ইয়াত এটা হোটেল আছে। ছাইনবোৰ্ড এখনো অঁৰা আছে। সেই খনত "The Manipuri Hindu Hotel বুলি লেখি থৈছে। মণিপুৰৰ পৰা আহোঁতে মণিপুৰীয়া ড্ৰাইভাৰ বিলাকে আলিতে লৰি ৰাখি ইয়াতে ভাত-পানী খাই লয়। এই হোটেলত চাহ পানীও পোৱা যায়। কাইৰঙৰ পৰা কাংপক্‌পি এই বাট দোখৰৰ দুই ফালৰ দৃশ্য অতি ধুনীয়া। পৰ্ব্বতৰ ওপৰেদি বাটটো আৰু দুই ফালে দুখন নৈ বৈছে। কি মনোৰম দৃশ্য! প্ৰকৃতিৰ কি বিচিত্ৰ লীলা! দেখিলে মন-প্ৰাণ জুৰাই যায়। কাংপক্‌পিৰ পৰা প্ৰায়ে ভৈয়াম। পৰ্ব্বত নাই বুলিলেও হয়। ইয়াৰ পৰা ১৩ মাইল গ'লে কাংলাতম্বি বুলি এদোখৰ ঠাই পায়। ইয়াতো বঙ্গলা, কেঞাৰ দোকান আৰু নেপালী আছে। ইয়াৰ পৰা মণিপুৰ ১৫ মাইল। বাট দোখৰ কাঁৰ যেন পোন। বাটৰ দুই দাঁতিতে দুশাৰী ছাঁ দিয়া গছ। মাজে মাজে মণিপুৰীয়া মানুহৰ ঘৰ। বাটত য'তেই ছৰ্কাৰী বঙ্গলা পালো তাতে এখন কেঞাৰ দোকান আছেই। তাহানি তন্ত্ৰত পঢ়া মনত আছে, য'তে গোসাঁনীৰ পীঠ এখন থাকিব, ত'তেই এজনা ভৈৰৱ থাকিবই লাগিব।

মণিপুৰত মোৰ চিনা-জনা মানুহ কোনো বিশেষ নাছিল। আমাৰ অসমীয়া মানুহ, মণিপুৰ থানাৰ দাৰোগা শ্ৰীযুত বলিৰাম দাস ডাঙৰীয়াৰ তাতে থাকিম গৈ বুলি

যাওঁতেই মনত ভাবি গৈছিলো। এওঁ কামৰূপ জিলাৰ মানুহ। পাছে গধূলি ৫ মান বজাত মণিপুৰ পালো গৈ। লৰিখন নি ড্ৰাইভাৰে বজাৰৰ মাজৰ দাঙ্গৰ দুমহলীয়া ঘৰ এটাৰ আগত থিয় কৰিলে। সেই ঘৰৰ মালিক হৈছে এজন মাৰোৱাৰী ভদ্ৰলোক—নাম বাবু প্ৰগুলাল পাত্তনি। তেওঁ মোক লৰিত দেখিয়েই দোকানৰ পৰা ওলাই আহি সাবট মাৰি ধৰিলে আৰু নিজে মোৰ হেণ্ডবেগটো হাতত লৈ মোক লৰিৰ পৰা নমাই দোকান ঘৰলৈ লৈ গ'ল। মই দাৰোগা বাবুৰ তাত নামিম বোলাতো তেওঁ মোক নেৰিলে। তাতে হাত-মুখ ধুই চাহ এটোপা খাই ফুৰিবলৈ ওলালো। দুৱাৰমুখত দেখিলো এখন সুন্দৰ চেভ্ৰলেট কাৰ। এইখন প্ৰগুলাল বাবুৰে গাড়ী। মই ফুৰিবলৈ যাম বোলা শুনি তেওঁ গাড়ী অনাই তপ্ তৈয়াৰকৈ থৈছে। মই খোজ কাঢ়ি যাওঁ বোলাতো তেওঁ নেৰিলে। মটৰত তুলি গোটেই টাউন ফুৰালে আৰু চাব লগীয়া এটাইবিলাক ঠাই দেখুৱালে। মণিপুৰৰ সদৰ টাউনৰ নাম ইম্ফল। ইয়াৰ মাজে দুখন সৰু নৈ বৈছে। এখনৰ নাম ইম্ফল আৰু ইখনৰ নাম নাম্বল। মোক এজন মেছ চিপাহীয়ে কৈছিল যে নাম্বল নৈখনক নাৰদ গঙ্গাও বোলে আৰু ইয়াত স্নানো ঘটে। টাউনখনি দেখিবলৈ অতি ধুনীয়া আৰু চাফচিকুণ। আলিবাট বিলাকো আহল বহল। ক'তো জাবৰ অকণ নাই। ৺গোবিন্দজীৰ মন্দিৰ, মাৰোৱাৰী বিলাকৰ ঠাকুৰ বাড়ী মন্দিৰ, বৰ্ত্তমান আৰু আগৰ ৰাজবাড়ী, ডাকঘৰ, টেলিগ্ৰাফ অপিচ, স্কুলঘৰ, ডাক্তৰখানা, পলিটিকেল এজেণ্ট চাহাবৰ বঙ্গলা, দৰবাৰ ঘৰ, দৰবাৰৰ প্ৰেছিডেণ্ট্ চাহাবৰ বঙ্গলা, মিলিটাৰী লাইন আৰু বজাৰ এই বিলাকেই চাবলগীয়া। টাউনৰ মানুহবিলাকে কলৰ পানী খায়; Pipe System ইয়াতো আছে। দেৱমন্দিৰ বহুতো আছে; তাৰ ভিতৰত ৺গোবিন্দজীৰ মন্দিৰেই প্ৰধান। এই মন্দিৰৰ আগে যোৱা আলিটোৰেদি জোতাৰে কাকো যাব নিদিয়ে। এই বিলাক চাইমেলি তাহানি ১৮৯১ চনত হোৱা ঘটনা বিলাকৰ ঠাই চালো আৰু সেনাপতি টীকেন্দ্ৰজিত আৰু বুঢ়া মন্ত্ৰী টঙ্গাল জেনেৰেলক ফাঁচী দিয়া ঠায়ো দেখিলো। পলো খেলা ঠাইত আৰু কেইজনমানেৰে সৈতে এওঁবিলাকৰ ফাঁচী হৈছিল। এই ঘটনাৰ সময়ৰ বহুত মানুহ এতিয়াও মণিপুৰত আছে। ইয়াৰ গোধূলি বজাৰখন যথাৰ্থতে চাব লগীয়া। ইমান ডাঙৰ বজাৰ অসমৰ কোনো ঠাইতে দেখা নাই। তিৰোতা আৰু মুনিহ বেলেগে বেলেগে বহে। মাইকী বজাৰখনেই দাঙ্গৰ। ৰাতি ৮।৯ বজালৈকে বজাৰ থাকে। এতিয়া হেনো কিছুমান মণিপুৰীয়াই মাইকী বজাৰখন বন্ধ কৰিবলৈ বিচাৰিছে। এই শ্ৰেণীৰ মণিপুৰীয়া তিৰোতাবিলাকে বজাৰে-সমাৰে যোৱাটো লাজৰ কথা বুলি ভাবিবলৈ শিকিছে।

এইবিলাক চাই-চিতি অহাৰ পাছত প্ৰগুলাল বাবুৱে তেওঁৰ ঘৰলৈ লৈ আহিল। অইন ঠাইলৈ যাবলৈ নিদি তেওঁৰ ঘৰতে ৰাখিলে। আৰু ৰাতি শুবলৈ ওপৰ মহলাত সুন্দৰকৈ বিছনা কৰি দিলে। পাছদিনা অসমীয়া মানুহ বিচাৰি গলো। মুঠতে তিনিজন অসমীয়া মানুহ আছে। দুজন কামৰূপৰ আৰু এজন নগাৱঁৰ। তিনিউজনৰ ভিতৰত শ্ৰীযুত বলিৰাম দাস দাঙ্গৰীয়া পুৰণা মানুহ। তেখেত ১৪ কি ১৫ বছৰ মণিপুৰত আছে। পুলিচৰ দাৰোগা কাম কৰে। তেখেতৰ সহকাৰী দাৰোগা হৈছে শ্ৰীমান দেবীধৰ বৰুৱা। এওঁ নগাৱঁৰ শ্ৰীযুত ডম্বৰুধৰ বৰুৱা চিৰস্তাদাৰ দাঙ্গৰীয়াৰ পুতেক। এওঁবিলাক এটাই কেজনেই বৰ ভাল মানুহ। শ্ৰীযুত দাসৰ লগত মোৰ পূৰ্ব্বে চিনাকী নাছিল। মোক আদৰ অভ্যৰ্থনা কৰি তেখেতৰ ঘৰতে খোৱা-বোৱা কৰিবলৈ দিহা কৰি দিলে। অতি যত্নেৰে খুৱালে। যত্ন আৰু শ্ৰদ্ধা দেখি তেখেতক নশলাগি নোৱাৰিলো। তেখেতৰ ১০।১১ বছৰীয়া এটী ছোৱালী আছে। ছোৱালীটী দেখিলেই মৰম লাগে। অকণী এই ছোৱালীটীয়ে সুন্দৰকৈ হাৰ্ম্মনিয়াম বজাব আৰু গান গাব জানে। এই বাৰ প্ৰাইমেৰি পৰীক্ষা দিব। বঙ্গালী মাষ্টৰ এজনে ৰাতিপুৱা নিতৌ ঘৰত পঢ়ায়। মাইকণে বঙ্গালী ভাষা পঢ়া দেখি শ্ৰীযুত দাসক সুধিলোঁ। তেখেতে কলে যে ইয়াৰ স্কুল কাছাৰি সকলোতে বঙ্গালী ভাষাহে চলে। পূৰ্ব্বকালত অসম ৰজাৰ লগত মণিপুৰীয়া ৰজাৰ বিবাহাদিৰ সম্পৰ্ক আছিল। ইপিনেও মণিপুৰ দেশ অসমত লগা।

এনে অৱস্থাত অসমীয়াই আঁতৰ হৈ বঙ্গালীক ঠাই এৰি দিয়াটো ভাল হৈছে নে? কিয়নো নহব? অসমীয়াৰ নিচিনা উদাৰ জাতি আৰু পৃথিবীত আছেনে? অসমীয়াই নো বিদেশী বঙ্গালী সকলক কোনপিনে সহায় কৰা নাই? দোকানীক মালবস্তু আৰু গ্ৰাহক দিছে। বঙ্গালী খেতিয়কক মাটি দিছে, নকৰ দিছে। উকীলক মক্কেল দিছে। কোনো কোনো বঙ্গালী বাবুক ছোৱালী দিও সহায় কৰিছে। আৰু লাগে কি? বঙ্গালী বাবু বুলিলে আৰু গাওঁত সুসুধিবাই। বঙ্গালী বাবু আমাৰ যেনিবা আলাসৰ, মাটিত থলেও পৰুৱাই খায়, মুৰত থলেও ওকণিয়ে খায়। ধন্য অসমীয়া জাতিৰ আত্মত্যাগ! আমি কাছাৰিতে দেখিছো নহয়, অসমীয়া উকীলক দুটকি দিলে বঙ্গালী উকীলক চাইটকি দিয়ে। বঙ্গালী বাবুক দাইল ঘিউ খাবলৈ টকা দি সহায় কৰিব লাগে। খাৰশাক খোৱা অসমীয়াক বেছি টকা কিয় লাগিছে? ধন্য বুধি, ধন্য উদাৰতা!!! আমাৰ অসমীয়া এজন বঙ্গলা দেশলৈ গ'লে হ'লে গোটেইখনতে অনাই-বনাই ফুৰিলেও ভাত এমুঠি খাবলৈ নেপাব। এইবিলাক কথা ভাবিলেই মনত দুখ লাগে। মণিপুৰত ৩ দিন থাকি আকৌ কহিমালৈ উভতি আহিলো। এই অলপ সময়ৰ ভিতৰত মণিপুৰৰ বিশেষকৈ কোনো কথা জানিব নোৱাৰিলো। মাথোন যি দুটা এটা কথা জানিলো তাকে লেখিলো। মণিপুৰীয়া ব্ৰাহ্মণ বিলাকৰ ভিতৰত গৌৰীদান প্ৰথা নাই। তোলনী হোৱাৰ পাছত হে ছোৱালী বিয়া দিয়ে। আৰু মণিপুৰীয়া ব্ৰাহ্মণে অন্য জাতৰ ছোৱালীও বিয়া কৰে। সেই বিয়াৰ পৰা হোৱা সন্তান বিলাকক সমাজে ব্ৰাহ্মণ বুলি গণ্য কৰে (নাগাহিলৰ গেজেটিয়েৰ চাওক)। ইয়াত পৰ্দ্দাৰ প্ৰথাও নাই। ব্ৰাহ্মণৰ তিৰুতায়ো প্ৰকাশ্যে ওলাই-মেলি হাট বজাৰ কৰি ফুৰিছে। ব্ৰাহ্মণৰ ছোৱালী এজনীক যদি নীচ জাতিয়ে বিবাহ কৰায় তেন্তে সেই ছোৱালীজনীয়ে গিৰীয়েকৰ জাত পায়। আমাৰ হিন্দুবিলাকৰ নিয়মমতে তাই চণ্ডাল বা বৰিয়া নহয় (নগাহিলৰ গেজিটিয়াৰ চাওক)। যি যুগত নাগিনীৰ লৰা হৈও পৰাশৰ, নদিয়ালনীৰ গৰ্ভজাত হৈও ব্যাসদেৱ ব্ৰাহ্মণ হব পাৰিছিল, যি যুগত সাবিত্ৰী, দময়ন্তী আদিৰ তোলনী হোৱাৰ পাছতো বিবাহ হব পাৰিছিল, যি যুগত গান্ধাৰী, দ্ৰৌপদী আৰু গাৰ্গী আদিয়ে পৰ্দ্দা নোহোৱাকৈ মুকলি মনেৰে ৰাজসভাতো যোগ দিব পাৰিছিল আৰু যি ব্ৰাহ্মণকন্যা দেবযানীয়ে ক্ষত্ৰিয় পতি গ্ৰহণ কৰি পতিকুল পাইছিল, সেই যুগৰ এই এটাই বিলাক নিয়ম আজিও মণিপুৰত চলি আছে। কিয় চলি আছে—মোৰ মনেৰে ইয়াৰ কাৰণ হৈছে কোনো অহিন্দু বিদেশী ৰজাই মণিপুৰ ৰাজ্য জয় কৰি কোনো কালে এই দেশত বিপ্লৱ ঘটাব পৰা নাছিল।

মণিপুৰৰ পূবে মানৰ দেশ, পশ্চিমে কাছাড় জিলা, উত্তৰে নগাহিল জিলা আৰু দক্ষিণে লুচাই পৰ্ব্বত। ৰাজ্যৰ পৰিমাণ ৮৪৫৬ বৰ্গমাইল ইয়াৰ ভিতৰত বেছিভাগ পৰ্ব্বতেই। ৰাজ্যখনৰ মাজতে, দীঘে ৩০ মাইলমান, পথালিয়ে ২০ মাইলমান ঠাই একেবাৰে সমতল। ইয়াৰ ভিতৰতে সদৰ ঠাই ইম্ফল টাউন। সৰু সৰু পৰ্ব্বত আৰু সৰু সৰু নৈ বহুত আছে। লোক্‌তাক্ নামে ইয়াত এখন বিল আছে। এইখন যেনিবা এখন সৰু সাগৰ—দীঘে ৮ মাইল, পথালিয়ে ৫ মাইল। ইমান ডাঙৰ বিল অসম দেশত নাই। এই বিলত খৰালি লাখে লাখে নানা জাতিৰ হাঁহ চৰি থাকে। বহুত দূৰৈৰ পৰা চাহাব বিলাক আহি ইয়াত হাঁহ চিকাৰ কৰে। আমাৰ দেশৰ চিকাৰী সকলে এই ফালে এবাৰ মন মেলিবনে?

মণিপুৰলৈ অহা বাট মুঠতে তিনটা। এটা ডিমাপুৰৰ পৰা, এটা কাছাৰৰ পৰা আৰু এটা মানৰ দেশৰ পৰা। ডিমাপুৰৰ বাটে মটৰেৰে যাব পাৰি। ই দুটা বাটে খোজ কাঢ়ি যাব লাগে। ই দুটা বাট Bridle path মাথোন। বাট দুৰ্গম। বনৰীয়া জন্তু অনেক আছে। মণিপুৰৰ সমতল ঠাই দোখৰ ২৬০০ ফুট ওখ। কিন্তু হাৱাপানী বৰ ভাল। বৰ গৰম হলেও ৮৩ ডিগ্ৰিতকৈ (ফাৰ্ণহিট) ওপৰলৈ তাপ নুঠে। বৰষুণ আমাৰ তাৰ দৰেই। ধান খেতি বৰ বেছি পৰিমাণে হয়। মাহ, সৰিয়হ, তিল, কপাহ আৰু কুঁহিয়াৰ আদিৰ খেতিও আছে। উল্লেখ যোগ্য মাথোন ধানৰ খেতিয়েই। প্ৰগুলাল বাবুৱে মোক কৈছিল কোনো এবছৰ হেনো পাঁচ লাখ মোন চাউল

মণিপুৰৰ পৰা অইন ঠাইলৈ গৈছিল। দেশত আকাল হয় বুলি চাউলৰ ৰপ্তানী মাজে মাজে দৰবাৰে বন্ধ কৰি থয়। মই যোৱাৰ সময়ত চাউলৰ দাম টকাত চব্বিশ সেৰ আছিল। সকলো বস্তুৱেই অতি সস্তা। ইয়াত পাই, পইছা আৰু আধা পইছাৰো চলতি আছে। বজাৰখনত ফুলৰ মালাৰ পৰা আৰম্ভ কৰি সকলো বস্তুকে পায়। বজাৰখন দেখিলেই মনত ৰং লাগে। যেনিয়েই চাবা তেনিয়েই নিজ দেশত তৈয়াৰী কৰা বস্তু। নানা তৰহৰ ঘৰত বোৱা কাপোৰ দমাই থৈছে। এই দেশত তৈয়াৰ হোৱা লোণ আৰু চেনিও পায়। মণিপুৰী হিন্দুবিলাকে মঙ্গহ নেখায়। কিন্তু শুকান মাছৰ প্ৰচলন বৰ বেছি। সকলো জাতে খায়। নগা, কুকি, মণিপুৰীয়া হিন্দু আৰু মণিপুৰীয়া মছলমান এই চাইটা জাতিয়ে ইয়াত আগৰে পৰা বাস কৰিছিল। এতিয়া নেপালী আৰু মাৰোৱাৰীও অনেক আছে। উখাৱল বুলি এদোখৰ ঠাইত এজন পাদুৰী চাহাবে বঙ্গলা সাজি আছে। আহোঁতে যাওঁতে মটৰৰ পৰা তেওঁৰ বঙ্গলা দেখি। কিন্তু পাদুৰিজনে বেছি শিচ ভজাব পৰা নাই। এওঁ ১৮৯৪ চনত ইয়ালৈ আহে।

মণিপুৰৰ বৰ্ত্তমান ৰজাজনৰ নাম চূড়াচাঁদ সিংহ। ১৮৯১ চনত মণিপুৰ দখল কৰি ইংৰাজ গবৰ্ণমেণ্টে এওঁক ৰজা পাতে। তেতিয়া এওঁ নাবালক আছিল। আগৰ ৰাজবংশৰ লগত এওঁৰ অতি দূৰৈৰ সম্পৰ্ক মাথোন। বৰ্ত্তমানে এওঁৰ ৰাণী সাত গৰাকী। মণিপুৰীয়া বিলাকৰ সকলো প্ৰকাৰ বিচাৰ দৰবাৰে কৰে। দৰবাৰত কেইজনমান মেম্বৰ, প্ৰেচিডেণ্ট আৰু ভাইচ প্ৰেচিডেণ্ট। এই দুয়োজনা বিষয়া ইংৰাজ। বিদেশী বিলাকৰ বিচাৰ পলিটিকেল্ এজেণ্টে কৰে। এৱোঁ এজন ইংৰাজ। মণিপুৰত কোনো উকীল মুক্তিয়াৰ নাই। কোনো আদালতলৈ উকীল যাবলৈ নিদিয়ে। মই কেবাখনো ৰাজ্য (native state) দেখিছোঁ। কোনো সভ্য ৰাজ্যতে অহাযোৱাৰ ইমান কঢ়াকঢ়ি আৰু উকীলক ওকালতি কৰিবলৈ নিদিয়া শুনা নাই। কোচবেহাৰত মই ভালেদিন আছিলো। তালৈ অহাযোৱা কৰিবলৈ কোনো হুকুম নেলাগে আৰু যেয়ে সেয়ে গৈ ওকালতি কৰিব পাৰে। ষ্টেটৰ এজন নিগাজী উকীলেই আছে। ত্ৰিপুৰা ৰাজ্যতো একেই নিয়ম। মই পাছ দেখুৱা স্বত্বেও মাত্তথানাৰ মণিপুৰী দাৰোগাজনে নানা তৰহৰ প্ৰশ্ন কৰি নথৈ আমনি কৰিলে। আপোনাৰ পাটলিত পৰিছো, যেই কৰে সেই বুলি কোনো প্ৰকাৰে তেওঁৰ পৰা বিদায় ললো। এইবিলাক কথা চাওঁতা কোনো নাইনে? চৰ্কাৰী বিষয়া সকলক আৰু সম্ভ্ৰান্ত অসমীয়া মানুহ সকলক পাছ নোলোৱাকৈ যাবলৈ দিলে ৰাজ্যৰ কিবা হানি হবনে? পালিটিকেল এজেণ্ট চাহাবৰ হুকুমৰ বিৰুদ্ধে আপীলৰ কিবা বাট আছে নে নাই? যদি আছে, সেই আপীল ক'ত খাটে মই বিশেষৰূপে নেজানো। গোলাম হাইদাৰ বুলি এজন মছলমানে অলপতে এটা আপীল কৰিছিল। সেই আপীল আমাৰ গবৰ্ণৰ বাহাদুৰে Summarily dismiss কৰিলে। বেপাৰ-বাণিজ কৰিবলৈ ইয়াত বহুত ব্ৰিটিচ্ প্ৰজা আছেহি। ব্ৰিটীচ ভাৰতবৰ্ষৰ আইন প্ৰণালীমতে তেওঁবিলাকৰ বিচাৰ হ'লে বেয়া হবনে? আমাৰ কাউঞ্চিলৰ কোনো এজন মেম্বৰে এই বিষয়টি হাতত ললে বেয়া নহয়। ব্ৰিটীচ প্ৰজা সকলৰ অশেষ উপকাৰ হ'ব।

কেঞাপটীত থিয় হলেই কলিকতাৰ হেৰিচন ৰোডলৈ মনত পৰে। বাট বৰ বহল। ৰাতি বিজুলী চাকিৰ পোহৰে দিন যেন কৰি থয়।

মণিপুৰীয়া মানুহ বিলাকৰ ঘৰদুৱাৰ অতি চাফ চিকুণ। তেওঁবিলাকৰ ঘৰে ঘৰে দুৱাৰ মুখত একোজুপি তুলসী গছ থাকে। ৰাতিপুৱা শুই উঠিয়েই প্ৰত্যেক মণিপুৰীয়াই সেই তুলসী গছত সেৱা কৰি পানী দিয়ে।

মণিপুৰত চুণ, তাম আৰু লো পোৱা যায়। মানুহ বিলাক—মতা তিৰুতা উভয়ে—বৰ পৰিশ্ৰমী আৰু অইনে যিহকে কৰা দেখে তাকে কৰিবলৈ শিকে।

১৮৯১ চনৰ মণিপুৰৰ যুঁজৰ পাছত চেপাৰ মাইনৰ আহি পৰ্ব্বত কাটি বৰ্ত্তমানৰ ডিমাপুৰ-মণিপুৰ বাটটো উলিয়ায়। ১৮৯৫ চনত এই কামটো সমাধা হয়। এই বাটটোক ইংৰাজ ৰজাৰ এটা অতুল কীৰ্ত্তিৰ চিন নুবুলি নোৱাৰি। পূৰ্ব্বে খোজ কাঢ়ি যাব লগা বাট আছিল। আমাৰ কোনো তিৰোতা মানুহ যাব লগা হ'লে নগাৰ

হোৱাত যাব লগা হৈছিল। বাটত যে কিমান দুখ কষ্ট হৈছিল তাক ভাষাৰে বৰ্ণনা কৰা নেযায়।

১৮৯৬ চনত যিকেখন গাড়ী পোনতে চিকাৰী ঘাটৰ পৰা মণিপুৰলৈ গৈছিল, সেই কেখন গাড়ীক গাইপতি ৫০৲ টকাকৈ কেৰেয়া দিছিল। কিন্তু ৬.৭ বছৰৰ পাছত মণিপুৰত ১৭০০।১৮০০ মান গৰুৰ গাড়ী হ'ল। তেতিয়া বাৰিষা ঠায়ে ঠায়ে বাটতো বৰ বোকা হৈছিল। কেবা দিনলৈকো গাড়ী বাটত লাগি থাকে। পাছে লাহে লাহে ডিমাপুৰৰ পৰা মণিপুৰলৈকে ১৩৪ মাইল দীঘলীয়া গোটেইটো বাট শিলগুটি পাৰি আমাৰ গৱৰ্ণমেণ্টে পকা কৰালে। গোটেই বাটটো আমাৰ গৰকাপ্তানি বিভাগৰ হাতত। তেওঁবিলাকেই বোলে সকলো খৰচ বহন কৰে। মণিপুৰ ৰাজ্যৰ ভিতৰত থকা দোখৰ বাটৰ (৬৭ মাইলৰ) খৰচ মণিপুৰ ৰাজ্যই কিয় বহন নকৰে, তাৰ কাৰণ একোকে বুজিব নোৱাৰিলো।

গোটেইটো বাট পকা হোৱাৰ পাছৰ পৰা (ডিমাপুৰৰ পৰা) মণিপুৰলৈকে মটৰ লৰি চলিবলৈ ধৰিলে। ১৯২৪ চনৰ পৰা লৰি চলা আৰম্ভ হয়। বেছিভাগ লৰিয়েই কেঞা মহাজন বিলাকৰ। লৰিবিলাক মণিপুৰত ৰেজিষ্ট্ৰী কৰে। এতিয়ালৈকে এই অক্টোবৰ মাহলৈকে ২৪৫ খন লৰি ৰেজিষ্ট্ৰী হৈছে। প্ৰায়বিলাক ড্ৰাইভাৰেই মণিপুৰীয়া।

ডিমাপুৰৰ পৰা মণিপুৰলৈকে ডাক অনা-নিয়া কৰিবলৈ মাহে ৩৫০০৲ টকাত এজন মণিপুৰীয়াই ঠিকা লৈছে। এই কাজৰ নিমিত্তে হেনো কেবাজনো অসমীয়া মানুহে টেণ্ডাৰ দিছিল। তেওঁবিলাকৰ টেণ্ডাৰ নামঞ্জুৰ কৰিলে। ঠিকাদাৰজনে ৬ খন লৰি এই কামৰ বাবে ৰাখিছে। এই কেখন লৰি ৰঙ্গা ৰং দিয়া। দেখিলেই চিনিব পাৰি। ইয়াত মানুহো অনা-নিয়া কৰে। কিন্তু ভাড়া অলপ বেছি।

গ্ৰীক মহাকবি হোমাৰৰ ওডিচি

—শ্ৰীযুত অম্বিকাপ্ৰসাদ গোস্বামী, বি-এল

প্ৰথম অধ্যায়

বিয়াৰ প্ৰস্তাব

ট্ৰোজান যুদ্ধলৈ যোৱা বীৰ সকলে বহুদিনৰ মূৰত উভতি আহি নিজ নিজ দেশ পালে, কেৱল ইউলিচিচৰ আজি পৰ্য্যন্ত কোনো বাতৰি নাই। ট্ৰয় ধ্বংস হোৱাৰ দহ বছৰ হল তথাপি ইথাকা ৰাজ্যত তেওঁৰ পতিব্ৰতা পত্নী পেনিলোপি তেওঁৰ বুঢ়া পিতাক লেইট্ৰিচ আৰু তেওঁৰ লৰা টেলিমেকাচে এতিয়াও তেওঁ উভতি আহিব আহিব বুলি বাটলৈ চাই আছে। ইপিনে ৰজাঘৰত আৰু এটি বিপদ। কেবছৰমানৰ পৰা ইথাকা আৰু ওচৰৰ অন্যান্য ৰাজ্যবোৰৰ উচ্চবংশৰ ডেকা সকলে ইউলিচিচৰ মৃত্যু ঠিক কৰি তেওঁৰ বিধবা পেনিলোপিক বিয়া কৰাবৰ ইচ্ছাত পেনিলোপিৰ কৃপালাভ কৰাৰ উদ্দেশ্যে ৰজাঘৰত অপেক্ষা কৰি আছে। সতী পেনিলোপিয়ে তেওঁৰ স্বামী জীয়াই আছে বুলি তেওঁলোকক ঘৰলৈ যাব অনুৰোধ কৰা স্বত্বেও সকলোৱে তেওঁক হেঁচা মাৰি ধৰিছে আৰু কৈছে যে ইউলিচিচৰ জীয়াই থকাৰ কোনো প্ৰমাণ নাই আৰু দেশাচাৰমতে তেওঁ এওঁলোকৰ ভিতৰত এজনাক বিয়া কৰাবৰ বাধ্য।

এইটো বৰ আচৰিত কথা যে পেনিলোপিক বিয়া

কৰাব খোজোতা সকলে তেওঁৰে ঘৰত বহি তেওঁৰ বস্তু বাহানি যথেচ্ছা ভোগ কৰিছিল। ইয়াৰ কাৰণ এই যে টেলিমেকাচ নিৰ্জ্জু প্ৰকৃতিৰ ডেকা আছিল। আৰু সেই সময়ত ইউলিচিচৰ এনে কোনো শক্তিমন্ত বন্ধুবান্ধৱ নাছিল যি তেওঁৰ অনুপস্থিতিত এই অনিমন্ত্ৰিত অতিথি সকলক খেদি দিব পাৰে।

ইউলিচিচ এতিয়া কি অৱস্থাত ক'ত আছে, তেওঁৰ লৰা তিকতাই একোকে কব নোৱাৰে—কেৱল দেৱতা সকলেহে জানে। সমুদ্ৰ দেৱতাৰ অপৰাধ লগাই, তেওঁ আজি সাত বছৰ কেলিম্পোৰ মায়াপুৰীত বন্দী হৈ আছে। কিন্তু এই অৱস্থাতো তেওঁৰ ৰক্ষাকৰ্ত্ৰী দেৱী মিনাৰ্ভাই তেওঁক এৰা নাই। কেনেকৈ ইউলিচিচক উদ্ধাৰ কৰিব পাৰে তাৰে ফন্দি পাঙিয়েই আছে। এদিন ওলিম্পিয়া পৰ্ব্বতত দেৱতা সকলৰ সভাত সমুদ্ৰ দেৱতা উপস্থিত নাছিল; তেওঁ সিদিনা ইথিয়োপীয়া দেশৰ মানুহবোৰৰ লগত ভোজ খাব গৈছিল। সেই সুবিধা পাই মিনাৰ্ভাই দেৱৰাজ জুপিটাৰৰ আগত ইউলিচিচৰ কথা উনুকিয়াই কলে যে এনে এজন বীৰক এনে অৱস্থাত ৰখা যুগুত হোৱা নাই। মনত বেথা লাগি জুপিটাৰে তেতিয়াই দেৱদূত মাৰকুৰিক কেলিম্পোৰ ওচৰলৈ পঠাই ততালিকে ইউলিচিচক এৰি দিব কোৱালে আৰু তেতিয়াই মিনাৰ্ভায়ো তেওঁৰ ভৰিত স্বৰ্গৰ সোণেৰে সজা সুন্দৰ খৰম পিন্ধি হাতত খাপৰ লৈ ওলিম্পাচ পৰ্ব্বতৰ পৰা উৰি গৈ ইথাকাৰ ৰজাঘৰৰ দুৱাৰ মুখত টেলিমেকাচৰ শিক্ষক মেণ্টিচৰ ৰূপ ধৰি উপস্থিত হল। তেওঁ দেখিলে যে পেনিলোপিৰ বিবাহপ্ৰাৰ্থী সকলে ৰজাঘৰৰ দুৱাৰ মুখত, সিহঁতে ভোজ খাবলৈ মাৰা ষাড়ৰ চামৰাত অনুচৰ সকলে সৈতে বহি নানান ৰকম খেল খেলি আছে। টেলিমেকাচে বিবাহপ্ৰাৰ্থী সকলৰ ওচৰত বহি মনে মনে কেতিয়া তেওঁৰ পিতাক আহি এওঁলোকৰ ওপৰত প্ৰতিশোধ লব তাকে ভাবিচিন্তি থাকোতে দেখা পালে যে এজন অতিথি ঘৰৰ দুৱাৰ মুখত। তেওঁ তেওঁক লৰালৰিকৈ সাদৰ সম্ভাষণ কৰি আনি ঘৰৰ ভিতৰত বহুৱালে আৰু অতিথিৰ যথাযোগ্য শুশ্ৰূষা নোহোৱা সময়লৈ বোলে কথা নুসুধিলে। কিয়নো পুৰণি গ্ৰীক সকলে আলহী অতিথি গলে পোনে পোনে তেখেত সকলক সেৱা-শুশ্ৰূষা কৰি উঠিহে আন কথা-বতৰা হৈছিল। যদিও টেলিমেকাচে নতুন মানুহজনক দেখি পিতাকৰ কথা সুধিবৰ কাৰণে বৰ ব্যাকুল হৈ উঠিছিল তথাপি তেওঁ তেখেতক কোনো কথা নুসুধিলে। তেওঁৰ দাসীবোৰে আহি ৰূপৰ পাত্ৰত হাতমুখ ধুবলৈ পানী আৰু খাবলৈ বস্তু বাহানি আনি দিলে। বিবাহপ্ৰাৰ্থী সকলে ইফালে ইউলিচিচৰ ওপৰতে ভালকৈ ধুমধুপালকৈ ভোজ খাই উঠি তেওঁৰ গায়কক জোৰ কৰি গান গাব কলে। বিবাহপ্ৰাৰ্থী সকলে মুগ্ধ হৈ যেতিয়া গান শুনিব ধৰিলে, তেতিয়া টেলিমেকাচে মিনাৰ্ভাৰে সৈতে ফুচফুচাই কথা পাতিব ধৰিলে। মিনাৰভাই মিছাকৈ টেপোচ দ্বীপৰ মেণ্টিচ বুলি চিনাকী দি কলে যে তেওঁ পিতলৰ কাৰবাৰ কৰিবৰ কাৰণে এই ঠাইলৈ আহিছে। আৰু কলে যে ইউলিচিচৰ লগত তেওঁৰ পিতাকৰ দিনৰে পৰা বন্ধুত্ব চলি আহিছে আৰু সময়ে সময়ে উভয়ে উভয়ৰ ঘৰলৈ গৈ ভোজতো যোগ দিয়ে।

শেহত মিনাৰভাই টেলিমেকাচক জনালে যে, ইউলিচিচৰ বৰ্ত্তমান অৱস্থাৰ বিষয়ে তেওঁ একোকে নেজানে। সম্ভৱতঃ তেওঁক কোনোবাই তেওঁৰ অনিচ্ছা স্বত্বেও বন্দী কৰি ৰাখিছে। যেনে তেনে কৰি এদিন ইউলিচিচে আহি ঘৰ পাব আৰু তেওঁ নাহে মানে টেলিমেকাচক পুৰুষৰ দৰে কাৰ্য্য কৰিবলৈ উৎসাহিত কৰিলে। টেলিমেকাচক তেতিয়াই বিবাহপ্ৰাৰ্থী সকলক বিদায় দিব দি কলে যে যদি তেওঁৰ মাকৰ বিয়া কৰাবৰ ইচ্ছা আছে তেনেহলে তেওঁ তেওঁৰ পিতাকৰ ঘৰলৈ যাওক। টেলিমেকাচক তেওঁৰ পিতাকৰ অনুসন্ধান কৰিব উপদেশ দি কলে যে পাইলচৰ ৰজা নেষ্টৰ আৰু স্পাটাৰ মেনিলচ সকলোতকৈ শেষত ট্ৰয় দেশৰ পৰা ফিৰি আহিছে। তেওঁলোকে কিজানি ইউলিচিচৰ খবৰ জানিব পাৰে। যদি তেওঁলোকে তেওঁক ইউলিচিচ জীয়াই থকাৰ সঠিক খবৰ দিব পাৰে তেনেহলে তেওঁ ইউলিচিচ উভতি নেহালৈকে সকলো বিপদতে ধৈৰ্য্য

ধবি বাট চাই থাকিব। কিন্তু তেওঁ যদি পিতাকৰ মৃত্যুৰ সঠিক খবৰ পায় তেনেহলে তেওঁ নিজেই এই বিবাহপ্ৰাৰ্থী সকলৰ ওপৰত তেওঁৰ পিতাৰ সম্পত্তি এনেদৰে নষ্ট কৰা বাবে তাৰ উপযুক্ত প্ৰতিশোধ লব পাৰিব।

টেলিমেকাছক এই উপদেশ দি মিনাৰভাই নিজমূৰ্তি ধবি পাখি মেলি উৰি গল। তেওঁৰ উৎসাহত নতুন বল পাই টেলিমেকাচে তেতিয়াই বিবাহপ্ৰাৰ্থী সকলক বিদায় দি কলে যে যদি সিহঁতে পুহাই তেওঁলোক বিদায় নহয় তেনেহলে ৰাজসভা পাতি সমুদয় ধন বাইজৰ আগত তেওঁলোকৰ ওপৰত অভিযোগ কৰিব।

পিছদিনাই ৰাজসভা আহ্বান কৰা হল। সকলো বাইজ উপস্থিত হোৱাত টেলিমেকাচে হাতত খাপৰ লৈ গোনেই পিতাকৰ আসনত বহিলগৈ। পাছে পাছে তেওঁৰ প্ৰভূভক্ত কুকুৰ গল। বিবাহপ্ৰাৰ্থী সকলে কেনেকৈ তেওঁৰ সম্পত্তি নষ্ট কৰিব ধৰিছে সেই বিষয় তেওঁ বাইজৰ আগত বহলাই কলে। এইবোৰ দেখি শুনিয়ো যে বাইজে তেওঁলোকক বজাঘৰৰ পৰা খেদি দিয়াত তেওঁক সহায় কৰা নাই, এই বিষয়ে দুখ প্ৰকাশ কৰিলে। বিবাহপ্ৰাৰ্থী এণ্টিনেচে উত্তৰত কলে যে বিবাহপ্ৰাৰ্থী সকলৰ গাত অলপো দোষ নাই—দোষ তেওঁৰ মাকৰ গাতহে। তেওঁ মাকেহে ফাকি দি তেওঁলোকক বন্ধ কৰি ৰাখিছে। তেওঁ আগেয়ে কৈছে যে তেওঁ বিবাহ-প্ৰাৰ্থী সকলৰ ভিতৰত এজনাক ববিব—কিন্তু তেওঁ বুঢ়া হৈছেহকে মৰিলে, সব ওপৰত মেহাই দিবলৈ এখন কাপোৰ লগাইছে। সেই কাপোৰ খন নোলাই মানে তেওঁ কাকো বিয়া নকবায়। কিন্তু বাণীয়ে দিনত যিখিনি কাপোৰ বয় বাতি হলে সেইখিনি খহাই থয়। এইদৰে তেওঁ দিন কটাই আছিল। এই সন্দৰ্ভে বিবাহপ্ৰাৰ্থী সকলক বাণীৰ দাসীবোৰে দিছিল। কিয়নো এই দাসীবোৰ বহুত বিবাহপ্ৰাৰ্থীৰ গুপ্তপ্ৰেমত পৰিছিল—কিন্তু এই বাৰ বাণীয়ে এই সকলৰ ভিতৰত এজনক ববিবই লাগিব।

বাইজ সকলক নিমাত দেখি টেলিমেকাচে মনৰ দুখত দেৱতা সকলৰ ওচৰত ইয়াৰ প্ৰতিশোধ প্ৰাৰ্থনা কৰাত হঠাৎ দেখা গল যে দুটা ইগল চৰাই ৰাজসভাৰ ওপৰত উৰি ঘুৰিব ধৰিছে আৰু হঠাৎ ইটোৱে সিটোক নখ আৰু ঠোঁটেৰে চিৰাচিৰ কৰি পেলালে। গগক ওচৰতে আছিল, তেওঁ কলে যে যেতিয়া ইউলিচিচ ট্ৰোজান যুদ্ধলৈ যাত্ৰা কৰে তেওঁ তেতিয়াই ভবিষ্যদ্বাণী কৰিছিল যে ২০ বছৰৰ পিছত হে ইউলিচিচ যুদ্ধৰ পৰা ফিৰি আহিব। এতিয়া তেওঁ এই লক্ষণৰ পৰা এই ভবিষ্যদ্বাণী কৰে যে ইউলিচিচ আহি তেওঁৰ ৰাজ্য অতি সোনকালে পাব। তেওঁ সেইবাবে বাইজক এই বিশ্বাসঘাতক বিবাহপ্ৰাৰ্থী সকলৰ ওপৰত প্ৰতিশোধ লবলৈ অনুৰোধ কৰিলে। কিন্তু বিবাহপ্ৰাৰ্থী সকলৰ দলপতিসহ বাইজৰ কোনেও টেলিমেকাচৰ হৈ মাতিব সাহ নকৰিলে। কেবলমাত্ৰ টেলিমেকাচৰ শিক্ষক মেণ্টৰে দুখ মনেৰে কলে যে যি ৰজাই ইথাকাবাসী সকলক ন্যায়, দয়া আৰু ধৰ্মমতে পালন কৰিছিল, সেই ৰজাৰ পুতেকৰ ওপৰত এনে অবিচাৰ কৰা বাইজৰ উচিত হোৱা নাই। তেওঁৰ কথাতো কেহে কাণ নকৰিলে, বৰঞ্চ তেওঁ সকলোবে হাঁহিহাতৰ হে পাত্ৰ হল।

বাইজৰ এনে অবিচাৰ দেখি মনৰ দুখত টেলিমেকাচে সাগৰৰ পাৰলৈ ঘুৰিব গ'ল। সাগৰৰ পানীত হাত দুই তেওঁৰ ইষ্টদেবী মিনাৰভাক স্মৰণ কৰোতেই মেণ্টৰৰ ৰূপ ধৰি মিনাৰভা তাত উপস্থিত হৈ টেলিমেকাচক সান্ত্বনা আৰু উৎসাহ দি কলে যে দুষ্ট মানুহে যেয়া কথা কলেও তেওঁ নিৰুৎসাহ হবৰ কোনো কাৰণ নাই। যদি উপযুক্ত পিতাৰ উপযুক্ত পুত্ৰ বুলি পৰিচয় দিব খোজে তেনেহলে তেৱেঁই টেলিমেকাচক নাও আৰু নাৰবীয়া যোগাৰ কৰি দিব। এই কথা শুনি টেলিমেকাচে তেতিয়াই নিজৰ ঘৰলৈ গৈ যাত্ৰাৰ আয়োজন কৰিলে। আৰু সন্ধ্যা হওঁতেই মিনাৰভাই যোগাৰ কৰি দিয়া নাও-মানুহ লৈ মাতৃস্বৰূপা বুঢ়ী ধাইৰ অনুৰোধ কাতি কৰি থৈ নাৱত উঠিলে গৈ। তেওঁ যে পিতাকক বিচাৰি যাব ওলাইছে সেই কথা তেওঁ বুঢ়ী ধাইত বাজে আন কাকো কোৱা নাছিল আৰু তেওঁকো সেই কথা মিমান পাবে মাকৰ পৰা লুকাই ৰাখিবলৈ অনুৰোধ কৰিছিল।—ক্ৰমশঃ

জীৱনৰ গতি

—শ্ৰীযুত হৰেন্দ্ৰনাথ কলিতা

সিদিনা দেওবাৰ। মনতে ভাবিলো দিনটো কেনেকৈ কটাম যায়। শেষ মীমাংসা হলে একো কৰিব নোৱাৰি চুপবীয়াৰ নিত্য-কৰ্ম অৰ্থাৎ গা ধোৱা ভাত খোৱা অন্তাই জীবনৰ সঙ্গী বিছনাখনৰ লগতে মধুৰ আলাপত সময় কটাম বুলি ভাবিছোঁহে মাধোন—এনেতে নাৰায়ণ আৰু মহেন্দ্ৰ আহি কোঠাৰ ভিতৰত প্ৰবেশ কৰিলে। তেতিয়া বহাগ মাহ, আখৈ দুটা ৰ'দ। এনে অহস্থাত তেওঁলোকক দেখি পাম বুলি আশা কৰিবই পৰা নাছিলো। সি যি কি নহক, তেওঁলোকক বহিবলৈ কৈ উৎসুক নয়নেৰে চাই থাকিলো এনেতে তেওঁলোকে মাত লগালে—ওঁ চাব নেণাগে, ভলোৱা। আমি বোটানিকেল গার্ডেনলৈ যাবলৈ আহিছোঁ। বসন্ত কাল, তুমিও কবি —বৰ ভাল পাবা। ওলোৱা, পলম নকৰিবা।

তেওঁলোকক এবাৰ নোহাবি ওলাই পৰিলোঁ। আমি তেতিয়া গার্ডেন পাওঁ তেতিয়া প্ৰায় তিনি বাজিছে। মোৰ সহযাত্ৰী সকলে নানা হাঁহি-খিকিন্দালি লগাই ঘুৰিবলৈ ধৰিলে। মাজে মাজে Visitors are strictly prohibited to pluck any flowers বোলা আইনখন অগ্ৰাহ্য কৰি এটি দুটি গোলাপ ফুল ছেপত ভৰাইছে। মই হলে ফুল এটিও নৰোৱাবিলো। ফুলত হাত দিলেই চকীদাৰৰ চকুত পৰো বুলি ভয় লাগে। ফুল লোৱা আশা তেনেই এবি এগোপা তবাগছৰ তলতে বহি পৰিলো। কাষতে এগোপা যুতি ফুল আৰু তাৰ কাষতে এটি ঘুমুহুৰীয়া বাট। মোৰ চকু পৰিল বাটত এটা নোটবুক পৰি আছে। মই বুটলি ললো আৰু তাত কি আছে চালো। প্ৰথম পাততে লিখা আছে "My diary"। চমু দন্তখত এটি, পৰিবলৈ মোৱাৰিলো। অলিঅাবখনেও মহীটো ছেপত ভৰাই লবলৈ মোক কোনোবাই কলে। মই তাকেই কৰিলো। বন্ধুসকলক এই বিষয়ে একো কোৱা নহল। মেছ পাই ভবিহাত ধুই বিছনাত পৰি ডায়েৰিটো মেলি লৈ পঢ়িবলৈ ললো। পঢ়ি বৰ ভাল লাগিল। বাইজকো ভাগ দিওঁ বুলি তাৰ এটি সামান্য আধ্যা ব্যক্ত কৰিলো। ভবিষ্যতে বাকীখিনি দিবলৈ আশা থাকিল।

মই নামনি অসমৰ মানুহ। ১৯০৪ চনৰ বহাগৰ দোমাহীৰ দিনাখন মোৰ জন্ম হয়। সকলে পৰা মই দুষ্টামীত পাকৈত আছিলো। সদায় ঘৰত পিতাৰ মাৰ কিল খোৱাটো মোৰ দৈনিক কটিনৰ ভিতৰতহা। তেতিয়া মোৰ বয়স তেৰ বছৰ—পঢ়ো হাইস্কুলৰ ষষ্ঠমান শ্ৰেনীত। তাতে মোৰ সবস্বহীৰ লগত মনোবিবাদৰ সূত্ৰপাত হয়। তাৰ পিছত কোনোমতে টানিআজুৰি নবমমান শ্ৰেণীলৈ প্ৰমোশ্যন পাওঁ। কিন্তু তাৰ পৰা উধাৰৰ মোৰ আৰু শক্তি নহল। মোৰ স্কুলীয়া জীৱনৰ তাতে অন্ত পৰিল। দুষ্টামীত মই একেবাৰে পাকৈত হৈ উঠিলো। সেই হিচাপে পিতাৰ মাৰ-কিলৰ মাত্ৰাও বাঢ়ি গল। সকলোৰে মুখত শুনিবা—মই বৰ দুষ্ট হৈ উঠিছো। ডাঙৰ সৰু নামানো। মই ঘৰ পৰ সকলোবে যেনিবা চকুৰ হুলহুল। অৱশেষত মই মহকুমাধিপতিৰ চকুত পৰিলো। এদিন তেওঁ পিতাক মাতি নি কলে—আপোনাৰ নবাজন বৰ অবাইত হৈ উঠিছে, তাৰ দুষ্টামী কেবাদিনো মোৰ চকুত পৰিছে। আপুনি তাক শাসন কৰিবৰ চেষ্টা কৰক। মোৰ পিতা উক্ত মহকুমাৰে গণ্যমান্য উকিল—আৰু মহকুমাধিপতিৰ অন্যতম বন্ধু। মোৰ দুষ্টামিৰ কথা শুনি তেওঁ মৰমাস্তিক বেজাৰ পালে আৰু তাৰ পিছদিনা হতভাগা মোক ঘৰৰ পৰা উলিয়াই দিলে।

তেতিয়া ১৯২০ চন। পিতাৰ হুকুমত ঘৰ এৰিবলৈ

বাধ্য হৈ মই মাইৰ ওচৰলৈ বিদায় লব গলো। মোৰ মনৰ ভাব আৰু কৰ্ম্মপটুতা বুজিছিল একমাত্ৰ মাই। বেচেৰী মাইয়ে কান্দি কান্দি কলে—বাছা! যাগৈ বাৰু, তোৰ ঈশ্বৰে মঙ্গল কৰক। সোঁৱৰণী মতে তই ডাঙৰ মানুহ হব লাগিছিল, কিন্তু তোৰ দুষ্টামীৰ কাৰণে একো নহল। হোঁ এই পঞ্চাশ টকা ৰূপ। ইয়াকে লৈ যিপিনে ইচ্ছা যাগৈ; কিন্তু মনত ৰাখিবি তোৰ ভবিষ্যৎ সোঁৱণীৰ কথা। • • •

তেতিয়া মই ডুমডুমাত। কিছুদিন ঘূৰি ফুৰি ডুমডুমা ষ্টেশ্যনত ১৮৲ টকা দৰমহাত টিকেট কালেক্টৰৰ কামত সোমালো। তাতে তিনি মাহ কাম কৰি কিছু টকা ৰোজগাৰ কৰিলো। তাৰ পৰা ওলাই সেই টকাৰে নানা ঠাইত চাকৰীৰ সুবিধা বিচাৰি ফুৰিলো—কিন্তু ক'তো একো সুবিধা নহল। তাৰ পিছত ধাউতি হ'ল কাৰবাৰ কৰিবলৈ। সেই উদ্দেশ্যে কিছুমান এৰি আৰু মুগাৰ কাপোৰ লৈ লালমণিৰহাট পালোঁহি। সেই দিনা ১৯২১ চনৰ ২৩ মাৰ্চ্চ তাৰিখ। মই কাপোৰৰ বোজা কাষত লৈ লালমণিহাটৰ এজন বঙালী ৰেলৱে এ, টি, এচৰ বঙলালৈ গ'লো। কিন্তু মোৰ দুৰ্ভাগ্য—বঙালৰ সিংহদ্বাৰ খুলি ভিতৰলৈ যোৱা মাত্ৰে—বঙালী কৰ্ম্মচাৰীজনে দুটা বিলাতী কুকুৰ মোক লগাই দিলে। মই দৌৰি বাট ওলালো; তথাপি কুকুৰে পাছ নেৰিলে। হামখুৰি খাই আলিত পৰি গলো, 'কংকৃতে' গা কাটি তেজ উলিয়ালে। কুকুৰৰ কামোৰত পিন্ধা-উৰা কাপোৰ ছিৰি বখলা-বখলি হ'ল। কিন্তু গপাল বঙালীয়ে কি কৰিলে—কুকুৰটো তো মাতি নিনিলেই, তাৰ উপৰি ঘৈণীয়েকৰ সৈতে বাৰান্দাত থিয় হৈ পাৰে মানে হাততালি দি হাঁহিলে। সেই ঘটনা আজিও মোৰ মনৰ পৰা যোৱা নাই। কালস্য কুটিলা গতি—সেই গপাল বঙালী আজি মোৰ সহকাৰী কৰ্ম্মচাৰী। মোৰ আদেশ পালন তেওঁৰ দৈনিক কৰ্ত্তব্য। • • •

১৯২২ চনৰ ২২ ফেব্ৰুৱাৰী তাৰিখে মই বাৰ্ণ কোম্পানীত এপ্ৰেণ্টিছ সোমাওঁ। এবছৰ হওঁতে নহওঁতে মই অসম গভৰ্ণমেণ্টৰ পৰা এটা বৃত্তি পালো। সেই উৎসাহতে মই মেকানিকেল এঞ্জিনিয়াৰিং পঢ়িব আৰম্ভ কৰিলো। ১৯২৪ চনত মই বাৰ্ণৰ পৰা গৈ 'টম্‌চন্' কোম্পানীৰ ওৱাৰ্কশ্বপত ফিটাৰৰ কামত সোমাওঁ। তেতিয়া কোম্পানীৰ হাতত কেইবাটিও হাউছ 'ফিটিঙৰ' ঠিকা আছিল। এদিন কোম্পানীৰ উচ্চ কৰ্ম্মচাৰীৰ আদেশত মই আৰু দুজন বেলেগ ফিটাৰ এজন বঙলী ভদ্ৰলোকৰ ঘৰলৈ গলোঁ। তেওঁৰ ঘৰ কলিকতাৰ হৰিশ মুখাৰ্জ্জি ৰোডত। গিৰিহঁত নামজলা মানুহ। ফিটিঙৰ কাম আৰম্ভ হৈছিল এনেতে ঘৰৰ ভিতৰৰ পৰা গাভৰু ছোৱালী এজনী ওলাই আহিল আৰু চাকৰ এজনক এগিলাচ পানী আনিব কলে। মই মূৰ ডাঙি ওপৰলৈ চাওঁতে নেচাওঁতে ছোৱালীয়ে পানী খাই উঠি গিলাচত থকা অৱশিষ্ট পানীখিনি মোৰ মূৰৰ ওপৰত পেলাই দিলে। মোৰ কাণে মুখে পানী সোমাল। ছোৱালীজনীয়ে হৰিষৰ এটা কিৰিলি পাৰি ভিতৰলৈ লৰ মাৰিলে। মোৰ মুখ ৰঙা পৰি উঠিল; খঙে চুলিৰ আগ পালেগৈ। মনে মনে প্ৰতিশোধ লবৰ ইচ্ছা হ'ল। মনতে কত কথা পাঙিলো, ক'ত কথা ভাঙিলো হঠাৎ সেই সকলোবোৰ তল পৰি গ'ল—মনত পৰিল মোৰ দাৰিদ্ৰ্যৰ কথা। সেই কথা আজিও মোৰ অন্তৰত জুইৰ ফিৰিঙতি জলাদি জলি আছে। বিধিৰ বিধান, সেই ছোৱালী আজি মোৰ প্ৰণয়প্ৰাৰ্থিনী।

• • •

১৯২৫ চনৰ ১৭ নবেম্বৰ তাৰিখে মই বিলাতলৈ যাত্ৰা কৰিলো। সকলো অসমীয়াই হাঁহিলে—বিলাতলৈ গৈ মই কি কৰিম। মোক বিলাতত গাধা 'বনাব'। কিছুমান লগৰ সহপাঠীয়ে—তেতিয়া তেওঁলোক কলিকতা কলেজৰ ছাত্ৰ—মোক আঙ্গুলিয়াই কৈছিল—ভাৰতৰ পৰা লণ্ডনৰ জিয়োলজিকেল গাৰ্ডেনলৈ বান্দৰ পঠায়, মোৰো সেয়েহে গতি। কিন্তু ভগবানৰ কৃপাত ১৯২৭ চনৰ লণ্ডনত বহা প্ৰথম ইম্পিৰিয়েল ছাত্ৰ সম্মিলনত অসমীয়া লৰাৰ প্ৰতিনিধি স্বৰূপে সাক্ষী দিবলৈ মোৰে ভাগ্যত ঘটিছিল।

• • •

১৯২৫ চনৰ ২০ ডিছেম্বৰৰ দিনা মই লণ্ডন পালো। তাতে হাই কমিচনাৰৰ লগত দেখা সাক্ষাৎ কৰি মই

লণ্ডনৰ পৰা ১৫০ মাইল দূৰত থকা গেইনচ্‌বাৰ্গ চহৰলৈ আহিলো। গেইনচ্‌বাৰ্গ এখন সৰু চহৰ। তাত মাত্ৰ এখন ইঞ্জিনিয়াৰিং স্কুল আছে। মই মাৰ্চ্চেল এণ্ড কোংৰ কাৰখানাত এপ্ৰেণ্টিচ্ থাকি কাম শিকিবৰ অভিপ্ৰায়ে ইয়ালৈ অহাৰ উদ্দেশ্য। কিন্তু সকলো আশা এনে যোৱাত পৰিল। তাত ভাৰতীয় বিশ্ববিদ্যালয়ৰ প্ৰাথমিক্ বিজ্ঞান বা 'ইন্‌টাৰ চাইনচ্' পাছ নকৰিলে নাইবা সেই স্কুলৰ এণ্ট্ৰেচ্ পৰীক্ষা পাছ কৰিব নোৱাৰিলে ভৰ্ত্তি নকৰে। তাত এটা সুবিধা আছে—দিনত কাৰখানাত কাম কৰি ছাৰে সাত বজাৰ পৰা ন বজালৈ নাইট্ স্কুলত পঢ়িব পাৰি। য়ুৰোপীয়ান ছাত্ৰসকলে দিনত কাৰখানাত কাম কৰে আৰু ৰাতি হলে স্কুলত পঢ়ে। স্কুলখন লণ্ডন বিশ্ববিদ্যালয়ৰ অধীনত। ইয়াৰ পৰা পাছ হলে ইঞ্জিনিয়াৰিং ডিপ্লোমা পোৱা যায়। মই কাৰখানাত সোমালো কিন্তু তেতিয়াও স্কুলত পঢ়িবলৈ একো সুবিধা কৰিব পৰা নাই। কি কৰিম! মই যে ভালকৈ ইংৰাজীকে কব নোৱাৰো। মনৰ ভাব আনৰ আগত প্ৰকাশ কৰাটো মোৰ পক্ষে সম্ভৱ নহয়।

এদিন মৰসাহ কৰি কাৰখানাৰ অধিপতিৰ আগত মোৰ মনৰ ভাব প্ৰকাশ কৰিলো। মোৰ মনৰ প্ৰবল ইচ্ছা স্কুলত পঢ়া আৰু ডিপ্লোমা লোৱা। কাৰখানাধিপতিয়ে মোৰ মনৰ ভাব বুজিব পাৰি, স্কুলৰ প্ৰিন্সিপালক দেখা কৰিবলৈ কলে।

সেই দিনা ১৯২৬ চনৰ ১৮ জানুয়াৰী তাৰিখ। কিন্‌কিনা বৰষুণ। বাট-ঘাট বোকা পানীৰে ভৰা। প্ৰত্যেক মুহূৰ্ত্ততে পিছল খাবৰ ভয়। কাৰখানাধিপতিৰ অনুমতি লৈ মই ঘৰলৈ আহিলো আৰু প্ৰিন্সিপালক দেখা কৰিবলৈ নতুন পোছাক-পৰিচ্ছদ পিন্ধি ফুলবাবুটি হৈ ওলালো। অলপ দূৰ গৈছো—এনেতে কাষেৰে সাউত কৰে এখন মটৰ গাড়ী 'পাছ' কৰিলে। মোৰ দুৰ্ভাগ্য মটৰৰ বোকা পানী ছিটিকি আহি মোৰ মূৰে-গাই পৰিল। পোছাক তেনেই লেতেৰা হৈ গ'ল। তেতিয়া মোৰ মন কেনে লাগিছিল—ভগৱানেহে জানে। লাজতে মোৰ চকু চল্‌চলীয়া পৰিল। খঙে চুলিৰ আগ পালেগৈ। কিন্তু কি কৰিম—উপায় একো নাই। লাজে-অভিমানে ঘৰৰ ফালে উভতিবৰ সঙ্কল্প কৰিলো।

অলপ গৈয়ে মটৰ থামিল। ভিতৰৰ পৰা এজনী গাভৰুৱে মোক উদ্দেশ কৰি কলে—'ইপিনে আহা'। মই বৰ আচৰিত হলো আৰু বিৰুদ্ধ ভাবে তেওঁৰ ওচৰলৈ গ'লো। গাভৰুৱে মোক ক্ষমা খুজি সুধিলে—"তুমি ক'লৈ যাব আহিছিলা?" মই সকলো কথা ভাঙি কলো।

গাভৰুৱে তলমূৰ কৰি কলে—"বাৰু মটৰত উঠা; মই তোমাক ঘৰলৈ লৈ যাওঁ।" মোক লৈ গাভৰুৱে মোৰ ঘৰ পালেগৈ। মটৰ বাহিৰত থমাই মোক কলে, —"তুমি নতুনকৈ পোছাক পিন্ধি আহা—মই তোমাক তোমাৰ গন্তব্য স্থানলৈ লৈ যাম।" মই ভিতৰলৈ গৈ আকৌ নতুন পোছাক-পৰিচ্ছদ পিন্ধি মটৰত উঠিলোহি। মটৰ এৰি দিলে। অলপ পিছতে আমি গন্তব্য স্থলত উপস্থিত হলো।

মটৰ ৰাখি গাভৰুৱে প্ৰিন্সিপালৰ ওচৰলৈ গ'ল। দাৰোৱান-চাপ্ৰাচিয়ে বাট এৰি দি থিয় হল আৰু গাভৰুক নমস্কাৰ জনালে। মই ভাবিলো—গাভৰু নিশ্চয় প্ৰিন্সিপালৰ জীয়েক। প্ৰিন্সিপালৰ লগত দেখা হ'ল। তেতিয়া মোৰ নিৰ্দ্ধাৰিত সময়তকৈ আধা ঘণ্টা পলম। প্ৰিন্সিপালে সুধিলে—"তুমি কোন?" মই নিজৰ পৰিচয় দি ইণ্টাৰভিউ কাৰ্ডখন আগত ডাঙি ধৰিলো।

"মই বৰ দুখিত। তুমি নিৰ্দ্ধাৰিত সময়তকৈ বহু পিছত আহিলা। Good Evening বুলি প্ৰিন্সিপালে নিজৰ কামত মনোযোগ দিলে। মোৰ মুখ শুকাই গল। গাভৰুৱে গহীনাই মাত লগালে—"ক্ষমা কৰিব। তেওঁৰ পলমৰ কাৰণ ময়েই। এই লৰাজনক যেনে তেনে ভৰ্ত্তি কৰিবই লাগে।" প্ৰিন্সিপালে মোৰ মুখৰ পিনে চাই সুধিলে—"তোমাৰ লিভিংচাৰ্টিফিকেট আনিছানে? তুমি ভাৰতত কি পাছ কৰি আহিছা? আমাৰ নিয়মমতে ভাৰতৰ বিশ্ববিদ্যালয়ৰ ইণ্টাৰ চাইনচ পাছ কৰিবই লাগিব।" মই এটি হুমুনিয়াহ কাঢ়ি নিৰাশ

ভাবে কলো—"মই একো পাছ কৰা নাই! চাৰ্টিফিকেটো একো নাই। মই কেৱল ময়েই।"

প্ৰিন্সিপালে কলে——"তেন্তে কি হব? মই নিয়মৰ বিৰুদ্ধে কাম কৰিব নোৱাৰোঁ।" গাভৰুলৈ চাই কলে—"মিচ্ মাৰ্চেল, মই বৰ দুখিত এওঁৰ এড্মিশ্যন্ নহব।" গাভৰুৱে অলপ বিৰক্তভাৱে কলে—"এৰক সেইবোৰ কথা। এই লৰাজনক ভৰ্ত্তি কৰিবই লাগিব। ই মোৰ অনুৰোধ নহয়—আদেশ।"

"নিয়মৰ বিৰুদ্ধে কাম কৰা হয় যে" বুলি প্ৰিন্সিপালে তলমূৰ কৰিলে। "হওক নিয়মৰ বাহিৰ" বুলি গাভৰু গহীন হৈ পৰিল। তাৰ পিছত প্ৰিন্সিপালে অলপ চিন্তা কৰি কলে,—"মিচ্ মাৰ্চেল, এটা কাম কৰা যাওক। এওঁক এতিয়া এনেই ভৰ্ত্তি কৰি ৰখা হব। ছয় মাহৰ ভিতৰত স্কুলৰ এণ্ট্ৰেচ পৰীক্ষা দি পাছ কৰিলে—আমাৰ স্কুলৰ ছাত্ৰ হিচাপে জানুৱাৰীৰ পৰা ভৰ্ত্তি কৰিম। গাভৰুৱে সেয়ে হওক বুলি মোৰ ফালে চাই পঠিয়ালে। মই মূৰ দুপিয়াই তাত সম্মতি দিলো।

তাৰ পিছত প্ৰিন্সিপালে মোক তাৰ পিছদিনাৰ পৰা স্কুললৈ আহিব অনুমতি দিলে। ইমান সময় মই নিঃপয় মাৰি তেওঁলোকৰ কথা-বতৰা শুনি আছিলো। তেতিয়াহে জানিব পৰিলো—এই মিচ মাৰ্চেল সেই স্কুলৰ প্ৰেছিডেণ্ট আৰু মাৰ্চেল কাৰখানাৰ অৰ্দ্ধাংশিনী। ভূতপূৰ্ব্ব ডিৰেক্টৰ মিঃ পি মাৰ্চেলৰ যেতিয়া ঘৈণীয়েক মৰে, তেওঁৰ নামে থকা টকাৰে সেই স্কুলখন সজায়। যিমান দিন গিৰীয়েক জীয়াই আছিল, স্কুলৰ মেনেজিং সভাৰ সভাপতি তেৱেঁই আছিল। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ একমাত্ৰ কন্যা হেজেলাৰ এই স্কুলৰ সভাপতি কামত নিযুক্ত হয়। এই গাভৰুৱেই সেই হেজেলাৰ। তাৰ পিছত গাভৰুৱে মোক মটৰত তুলি আকৌ ঘৰত থৈ গলহি আৰু যাবৰ সময়ত কৈ গল—"কেতিয়াবা দৰ্কাৰ হলে মোক জনাবা। মই যি কৰিব পাৰো—তাক কৰিবলৈ সদায় প্ৰস্তুত।"

তেতিয়াৰ পৰা মই স্কুললৈ অহা যোৱা কৰিব ধৰিলো। ১৯২৬ চনৰ জুলাই মাহত মোৰ এণ্ট্ৰেচ এক্জামিনেশ্যন হয়। তাত মই প্ৰথম বিভাগত উত্তীৰ্ণ হওঁ। জীৱনত প্ৰথম বিভাগ পোৱা এয়ে প্ৰথম আৰু ভাগ্যোদয়ৰ প্ৰথম চিন। • • •

সংগ্ৰহ

নিখিল বিশ্বলৈ মহাত্মা গান্ধীৰ আধ্যাত্মিক বাণী

দ্বিতীয় ৰাউণ্ড টেবোল কন্‌ফাৰেন্সত যোগ দিবলৈ লণ্ডনলৈ যাওঁতে কাম্বদিয়া গ্ৰামোফোন কোম্পানীয়ে মহাত্মা গান্ধীক এখন ৰেকৰ্ড কৰি দিবলৈ অনুৰোধ কৰিছিল। সেই ৰেকৰ্ডত মহাত্মাই যি কৈছিল তাৰ ভাঙনী এই—

নিৰ্দ্দেশ কৰিব নোৱাৰা অজান শক্তি এটা বিশ্বসংসাৰৰ সকলোতে ওতপ্ৰোতভাৱে আছে। মই তাক দেখা নাপাওঁ কিন্তু অনুভৱ কৰিব পাৰোঁ। মানুহে নেদেখা এই শক্তিটো মানুহৰ সকলো পৰীক্ষাৰ অতীত; কিয়নো, ইন্দ্ৰিয়েৰে আমি যিবোৰ বিষয় উপলব্ধি কৰোঁ, ই তেনেকুৱা নহয়। ই ইন্দ্ৰিয়ৰ অতীত; যুক্তিতৰ্কেৰে ঈশ্বৰৰ অস্তিত্ব সীমাবদ্ধভাৱেই প্ৰমাণ কৰিব পাৰি। আমি নাজানো সাধাৰণ বিষয়তো মানুহক কোনে, কিয় আৰু কেনেকৈ শাসন কৰে; মানুহে তাক নাজানে, মাথোন এইখিনি জানে যে, কোনোবা এগৰাকী আছে, তেওঁ নিশ্চয় শাসন কৰে। বছৰচেৰেক আগেয়ে এই মহীশূৰত ফুৰোতে বহুত দুখীয়া মানুহৰ লগত মোৰ দেখা হয়; অনুসন্ধান কৰি মই জানিব পাৰিলোঁ, মহীশূৰ কোনে শাসন কৰে তাক সিহঁতে নাজানে। সিহঁতে কেৱল কয় যে, ঈশ্বৰে মহীশূৰ শাসন কৰে। নিজৰ শাসনকৰ্ত্তাৰ সম্বন্ধে এইবিলাক মানুহৰ জ্ঞান যদি ইমান সীমাবদ্ধ হয়, তেন্তে সিহঁত সিহঁতৰ শাসন

কৰোঁতাৰ চকুত যেনে, তাৰ বিজনিত ঈশ্বৰৰ দৃষ্টিত ক্ষুদ্ৰাদপি ক্ষুদ্ৰ নগণ্য মই, যি ৰজাৰো ৰজা সেই পৰমেশ্বৰৰ অস্তিত্ব উপলব্ধি কৰিব নোৱাৰিম, তাত আচৰিত হবলৈ একো নাই। তেও মহীশূৰৰ দৰিদ্ৰ গঞাসকলৰ দৰে ময়ো উপলব্ধি কৰোঁ যে, বিশ্বসংসাৰত শৃঙ্খলা আছে, নিয়মানুবৰ্ত্তিতা আছে আৰু এটা অলংঘ্য বিধানে বিশ্বজগতক শাসন কৰিছে। এই বিধান কোনো জড় বিধান নহয়; কাৰণ কোনো জড় বিধানে জীৱন শাসন কৰিব নোৱাৰে। আচাৰ্য্য জগদীশচন্দ্ৰ বসুৰ বিস্ময় মানিব লগা তথ্য অনুসন্ধানৰ ফলত ইও প্ৰমাণিত হৈছে যে, যিহক আমি জড় বোলোঁ, সিও জীৱন্ময়। এতেকে যি বিধানে দুনিয়া শাসন কৰে, সেয়েই ঈশ্বৰ।

সেই বিধান আৰু বিধান দিওঁতা এক। এই বিধান নাইবা ভগৱানৰ সম্বন্ধে মোৰ জ্ঞান অতি সামান্য; কিন্তু সেই বুলি তাক অস্বীকাৰ কৰিব নোৱাৰোঁ। যিদৰে পাৰ্থিৱ কোনো শক্তিৰ অস্তিত্ব অস্বীকাৰ নাইবা সেই বিষয়ৰ অজ্ঞতাত মোৰ কোনো লাভ নাই, সেইদৰে ঈশ্বৰক বা তেওঁৰ বিধানক অস্বীকাৰ কৰিলেও সেই বিধানৰ হাতৰপৰা মই সাৰিব নোৱাৰোঁ। আনহাতে, নম্ৰতাৰে আৰু নীৰৱে যদি সেই বিধাতৃ শক্তিক মই মানি লওঁ, তেন্তে পাৰ্থিৱ শক্তিৰ শাসন মানি ললে, সেই শক্তিৰ তলে জীৱন নিয়াবলৈ যেনে উজু আৰু সুগম হয়, তেনে মোৰ জীৱন পথ উজু আৰু সুগম হব। মই বাঢ়িয়াকৈ উপলব্ধি কৰিব পাৰোঁ যে আমাৰ চৌদিশে পৰিবৰ্ত্তনশীল, মৃত্যুশীল এই জগত। কিন্তু এইবোৰ পৰিবৰ্ত্তনত অন্তৰ্নিহিতভাৱে এক অপৰিবৰ্ত্তনশীল, শাশ্বত নিত্য জাগ্ৰত শক্তি আছে, যি গোটেই জগতক বিধান দিছে। সেই শক্তিয়ে সৃষ্টি কৰিছে, ধ্বংস কৰিছে আৰু দুনাই সৃষ্টি কৰিছে। এই শক্তিয়েই ভগৱান। ইয়াত বাজে মোৰ ইন্দ্ৰিয়গ্ৰাহ্য কোনো বিষয়েই নিত্য হব নোৱাৰে, নহবও। কেৱল তেৱেঁই শাশ্বত।

এই শক্তি মঙ্গলময় নে অমঙ্গলময়? মই ইয়াক নিত্য মঙ্গলময়ৰূপে লওঁ। কাৰণ মই দেখিছোঁ, মৃত্যুৰ মাজতে জীৱন প্ৰতিষ্ঠিত, অসত্যৰ মাজত সত্য, আন্ধাৰৰ মাজত পোহৰ আছে। এতেকে মই বিশ্বাস কৰো যে ঈশ্বৰ জীৱনস্বৰূপ, তেওঁ পোহৰস্বৰূপ। তেওঁ প্ৰেমস্বৰূপ, তেওঁ সবাতো উত্তম কল্যাণস্বৰূপ। কিন্তু ঈশ্বৰে যদি কেৱল বুদ্ধি বৃত্তিৰ পিয়াহকে পলুৱায়, তেন্তে তেওঁ ঈশ্বৰ নহয়। ঈশ্বৰ ঈশ্বৰ হব লাগিলে অন্তৰৰ ওপৰত তেওঁৰ প্ৰভাৱ থাকিব লাগিব, মানুহৰ অন্তৰ ৰাজ্যক তেওঁ নিয়ন্ত্ৰণ কৰিব লাগিব। ভকতৰ যিবোৰ কাম অতি সামান্য তাৰ ভিতৰেদিও তেওঁ আত্মপ্ৰকাশ কৰিব। পাঁচ ইন্দ্ৰিয়ৰ সহায়ত নহয়, তাতোকৈ প্ৰত্যক্ষ উপলব্ধিৰ সহায়ত তেওঁৰ এনেকুৱা আত্মপ্ৰকাশ সম্ভৱ। আমাৰ সকলো ইন্দ্ৰিয়ৰ অনুভূতি আমাৰ ওচৰত যিমানে সত্য বুলি প্ৰতিপন্ন নহ'ক, সি ভ্ৰান্ত হব পাৰে; দৰাচলে বহু সময়ত সি ভ্ৰান্ত আৰু প্ৰবঞ্চনাময়। ইন্দ্ৰিয়াতীত যি উপলব্ধি সেইহে অভ্ৰান্ত। আপেক্ষিক কোনো প্ৰমাণেৰে ভগৱদ্‌শক্তি প্ৰমাণ কৰিব নোৱাৰি। যি সকলে সঁচাকৈ ভগৱানৰ অস্তিত্ব অন্তৰত উপলব্ধি কৰিছে, তেওঁলোকৰ দ্বিজত্ব পোৱা আচৰণ আৰু চৰিত্ৰৰ দ্বাৰা ই প্ৰমাণিত হয়।

সমগ্ৰ দেশ আৰু সকলো জাতিৰ মাজত মহাপুৰুষ আৰু সাধক সকলৰ যি ধাৰ নিছিগা সোঁত চলি আহিছে, সেই মহাপুৰুষ আৰু সাধকসকলৰ অভিজ্ঞতাৰ ভিতৰত ভগৱদ্ শক্তিৰ ফটফটীয়া প্ৰমাণ পাব পাৰি। সেইবোৰ প্ৰমাণ স্বীকাৰ কৰিব নুখুজিলে নিজকেই অস্বীকাৰ কৰিব লাগিব। ঈশ্বৰ উপলব্ধিৰ আগেয়ে ভক্তৰ অন্তৰত অচল বিশ্বাসে দেখা দিয়ে। নিজৰ ভিতৰত যি ঈশ্বৰৰ অস্তিত্বৰ পৰীক্ষা কৰিব খোজে, জীৱন্ত বিশ্বাসৰ বলেৰে হে তেওঁৰ পক্ষে সেইটো সম্ভৱ হয়; কিয়নো, কোনো আপেক্ষিক প্ৰমাণেৰে বিশ্বাসক প্ৰমাণ কৰিব নোৱাৰি। জগতৰ নৈতিক শাসন, এতেকে নৈতিক বিধানৰ শ্ৰেষ্ঠত্ব—সত্য আৰু প্ৰেমৰ বিধানত বিশ্বাসী হোৱা আটাইতকৈ নিৰাপদ পন্থা। যিবোৰ বিষয় সত্য আৰু প্ৰেমৰ পৰিপন্থী, সৰ্ব্বতোভাৱে বৰ্জ্জন কৰিবলৈ য'ত জাগ্ৰত সংকল্পশীলতা বিদ্যমান, বিশ্বাসৰ পক্ষে সেই ক্ষেত্ৰ নিৰাপদ। মই স্বীকাৰ কৰোঁ যে, যুক্তিতৰ্কেৰে মই বুজাব নোৱাৰোঁ। বিশ্বাস যুক্তিতৰ্কৰ অতীত। মই মাথোন এই দিহা দিব পাৰোঁ যে, এই অসম্ভৱ সাধিবলৈ চেষ্টা নকৰাই ভাল এই। জগতত পাপৰ

অস্তিত্ব কিয় অকল্যাণ আক কিয় বিজ্ঞান মই তাক যুক্তি-বিচাৰেৰে বুজাব নোৱাৰোঁ। তাক কবিবলৈ গলে ঈশ্বৰৰ সাধকক্ষতা কবিবলৈ যোৱা হব। গতিকে এই জগতত পাপ যেনেকৈ আছে, মই তেনেকেয়ে ইয়াক মানি লওঁ আক মই ঈশ্বৰক সুদীর্ঘ দুখকষ্টভোগী সহিষ্ণু বুলি অভিহিত কৰোঁ। কাৰণ পাপ আক অকল্যাণক তেওঁ পৃথিবীত থাকিবলৈ দিছে। মই জানো তেওঁৰ নিজৰ চিত্তবত কোনো পাপ বা অকল্যাণ নাই; তথাপি সংসাৰত অকল্যাণ আছে। তেওঁ এইবোৰৰ কৰ্ত্তা, কিন্তু ইবোৰে তেওঁক ছুব নোৱাৰে।

মই ইয়াকো জানো যে, মই যদি প্ৰাণপণে অসত্য আক অকল্যাণৰ বিৰুদ্ধে যুজ নকৰোঁ, তেন্তে মই ভগৱানক কোনো দিনো জানিব নোৱাৰিম। মোৰ সামান্য অভিজ্ঞতাৰ ফলত এই বিশ্বাসৰ ওপৰত মই সুপ্ৰতিষ্ঠিত হৈছোঁ। মই যেতেকে পবিত্ৰ হবলৈ চেষ্টা কৰোঁ, তেতেকে বেছি ওচৰ পোৱা যেন পাওঁ। যিদিনা হিমালয়ৰ দৰে মোৰ বিশ্বাস অচলপ্ৰতিষ্ঠ হব আক হিমালয়ৰ টিংবোৰৰ দৰে যিদিনা ই শুভ্ৰ আক উজ্জ্বল হব, সিদিনা নো মই তেওঁৰ কিমান ওচৰ নাচাপিম!

পিতৃ-পৰিত্যক্ত

—গল্প

—শ্ৰীযুত পদ্মনাথ দাস

চকুত তোমাৰ অশ্ৰু আছে বন্ধু! কাৰোবেই মাতিছোঁ। মোৰ কাৰণে কিন্তু এটোপাও তাক ত্যাগ নকৰিবা। ঘৃণিত, উপেক্ষিত, পদদলিত, ভাগ্যহীন যদিও সেই অনুযোগ তোমাৰ ককণাৰ ওচৰত মই কৰিব নোখোজোঁ। নাযাগে মোক তোমাৰ দয়া, তোমাৰ হুমুনিয়া। মোক দয়া দেখুৱাবৰ, মোৰ নিমিত্তে সহানুভূতিৰ দীর্ঘশ্বাস ত্যাগ কৰিবৰ কি অধিকাৰ তোমাৰ আছে? সুকুমাৰ বৃত্তিসমূহ ঈশ্বৰে তোমাক দিছে যদি, দৈ দিয়া তাক তেওঁৰে কাৰণে। তোমাক তো মই একো খোজা নাই। দীনতাগ্ৰস্ত তুমি নিজেই, মোক আকৌ দিবা কিটো? তথাপি মোৰ কথা তোমাক মই শুনাব খোজো। ই তোষামোদ নহয়, অনুৰোধ নহয়—আদেশ। কাহিনী মোৰ তুমি শুনিবই লাগিব। আচৰিত হৈছা? আস্পৰ্দ্ধা দেখি মোৰ মস্তিষ্কৰ স্থিৰতা সম্বন্ধে তোমাৰ সন্দেহ উপজিছে? কিন্তু ভয় নাই, কোনো চিন্তা নকৰিবা—মই সম্পূৰ্ণৰূপে সুস্থ, প্ৰকৃতিস্থ। অভাগিনী মাতৃৰ উদৰত যিদিনা লও, প্ৰকৃতি হেকৰাই গৈলোৱা তাৰ পক্ষে শোভা নাপায়।

ওঁ, মই এক অভাগিনীৰ উদৰত জন্ম লৈছিলো। জন্মিছোঁ হয়, কিন্তু ইচ্ছাক্ৰমে নে অনিচ্ছাত, তাকে হে নাজানো। বৈচিত্ৰ্যপূৰ্ণ এই শোভাময় মহীমণ্ডলৰ বহুত বিচিত্ৰতা ভৰা মোৰ জীৱন শতদলৰ যিদিনাখন অনুৰোধৰ হল, সেইদিন সৃষ্টি বুৰঞ্জীত কোনো অঘটনৰ ঘটন হৈছিল নে নাই, কোনোৱে কৈ নিদিয়ে। কিন্তু মোৰ মন্দভাগিনী গৰ্ভধাৰিণীৰ ক্লিষ্ট আক কাতৰ হৃদয়ত যে যথেষ্ট পৰিবৰ্ত্তন সাঘটিত হৈছিল, তাক নকলেও হব। তেতিয়া শাওণ মাহ। বাহিৰত ঘোৰমৰা আন্ধাৰ; আকাশত কৃষ্ণকায় বিৰাট দৈত্যদলৰ দৰে মেঘগুজৰ বিচিত্ৰ সমাবেশ। থকি থাকি চিকিমিকি চিকমিকাই উঠে! ধাৰাসাৰে ববষুণ দিছিল। সময়ে সময়ে বজ্ৰগৰ্জ্জনত হেনো কাণ 'তাল' মাৰি যায়—বাবীৰ এচুকত বোলে হোকোপ বাঘে গুঁৰি আছিল। তেনে দুৰ্য্যোগতে মই ওপজো। প্ৰকৃতিৰ এনে বিপৰ্য্যয় কালত যাৰ জন্ম, তাৰ ভাগ্য বিপৰ্য্যয়শূন্য হব বুলি ভগাটো ভুল —মই ঠিক কথাকে কৈছো, বন্ধু! কিন্তু থাওক।

ভূমিষ্ঠ হৈয়েই জন্মদাতাৰ মুখ মই দেখা নাছিলো।

আবাহন



আবেশ

লক্ষ্মীবিলাস প্ৰেস

তেওঁ সেই সময়ত শ্ৰীসদনত বাস কৰিছিল। অপৰাধ?—জৰীমানাৰ আধাটকা ন্যায্যপ্ৰাপকে পাব নোৱাৰে বুলি ন্যায় অনুসৰি মত প্ৰকাশ কৰা। কবলৈ পাহৰিছো যে, মোৰ জনক কোৰ্ট ইন্সপেক্টৰ আছিল। ধন হওঁতে আৰ্জ্জিছিল তেওঁ বহুত, কিন্তু সদ্ব্যয়বুদ্ধি আৰু দূৰদৰ্শিতাৰ অভাৱ যতে আছে, আনক বঞ্চনা নকৰাকৈ তেওঁ চলিব কিদৰে? ঠিক অনুমান কৰিছা, সখা জন্মদাতা মোৰ চৰিত্ৰহীন আছিল। মদ্যপায়ী, লম্পট আৰু অসংযমী পিতাৰ ঔৰষত মোৰ জন্ম। নাক নোকোঁচাবা—আদেশ মোৰ, মোক ঘৃণা নকৰিবা। প্ৰকাশ্যে জনাজাত লম্পট কিংবা অসংযমী পিতৃয়ে জন্ম দিছে বুলিয়েই যদি মই তোমাৰে সমশ্ৰেণীৰ হব নোৱাৰো, তেন্তে সংযমী আৰু লাম্পট্যভাবহীন পিতাৰ ঔৰষত তুমি প্ৰকৃততে জন্মগ্ৰহণ কৰিছা নে নাই, সেই প্ৰশ্ন সুধিবলৈকো মোৰ সম্পূৰ্ণ অধিকাৰ আছে। বুকুত হাত দি কোৱাচোন বন্ধু, তোমাৰ জন্মদাতা সঁচাকৈয়ে নে সেই শ্ৰেণীৰ—কামনাৰ আতিশয্য, লাম্পট্যৰ ধনিষ্ঠামানো যাৰ হৃদয়ত নাই! সাৱধান প্ৰিয়তম, বিচাৰক হব খুজি অবিচাৰ কৰিবলৈ নাচাবা। ওপৰত বিশ্বতোচক্ষু ভগৱান, তলত বিস্তৃত শ্যামলা এই পৃথ্বী—ইয়াৰ ব্যৱধানত কি আছে, তুমি কব পাৰা?

কাৰাবাসৰ অন্তত পিতাই মোৰ বাগিচা এখনত চাকৰী ললে। ছেকেণ্ড ক্লাৰ্ক। বাগিচাৰ ওচৰতে এটা পাহাৰ। তাৰ দক্ষিণ সীমাইদি 'শান্তজলা' নৈ কুলুস্বৰে বৈ আহি বাগিচাৰ উত্তৰপ্ৰান্ত ঘূৰি পূৰ্ব্বসীমা সোমাই পুনঃ দক্ষিণ দিশলৈ ঢাল লৈছে। বিচিত্ৰদৰ্শন বিহগশ্ৰেণীৰ মধুকাকলিৰে তটিনীৰ বেলাভূমি সদায় মুখৰিত হৈ থাকে। অৰুণ ৰাগৰঞ্জিত তৰুণ তপনৰ হৈমতৰণী তটিনী বক্ষত যেতিয়া বিচ্ছুৰিত হৈ পৰে, তেতিয়া সেই বাৰিৰাশি গলিত কাঞ্চনৰ প্ৰস্ৰৱণ বুলি ভ্ৰম হয়। ঠাইডোখৰ এনে মনোৰম যে তাত কল-কাৰখানা আৰু ঘৰদুৱাৰ আদি নথকা হলে তপোবন বুলিয়েই কব পৰা গলহেঁতেন। কিন্তু এই তপোবন সদৃশ অৱস্থিত পিতাৰ পূৰ্ব্ব চৰিত্ৰ কিঞ্চিৎমানো পৰিবৰ্ত্তিত নহল। তেতিয়াও তেখেতে আগৰ আৰু লাম্পট্য পৰিহাৰ কৰিব নোৱাৰিলে। ডাঙৰ হৈ আইৰ মুখে শুনিছো, এই নিমিত্তেই তেওঁলোকৰ ভিতৰত নিতৌ দন-খৰিয়াল লাগি আছিল। এনে ললনা বোধকৰো পৃথিবীত কম, যি নিজৰ স্বামীৰ চৰিত্ৰভ্ৰষ্ট বুলি অপবাদ সহিবলৈ ভাল পায়। কিন্তু এই মনোবৃত্তিয়েই মোৰ জননীৰ কাল হল।

পিতাৰ লগৰ পৰা গৈ মাতৃদেৱীয়ে মাতামহৰ আশ্ৰয় ললে। মোৰ মাতামহ এজনা স্বধৰ্ম্মানুৰাগী ঈশ্বৰপৰায়ণ লোক আছিল। তেখেতে ঈশ্বৰলৈ চাৱেই মোৰে সৈতে আইক আশ্ৰয় দিছিল। হওঁতে মাতামহৰ অনুমতি বিহনে যি বিবাহ হৈছিল, সেই বিবাহৰ সন্তান মোক আৰু মোৰ গৰ্ভধাৰিণীক দলিয়াই পেলাবৰ কাৰণ মাতামহৰ পক্ষে বহুতো আছিল। কিন্তু তেখেতে সেইবোৰলৈ লক্ষ্য নকৰি আমাক সাবটি ললে।

মাতামহৰ ঘৰত প্ৰায় চাৰে তিনবছৰ অতিবাহিত কৰি মই পাঁচবছৰত ভৰি দিয়া দেখি অভিভাৱকে মোক ওচৰৰে মক্তব স্কুলত ভৰ্ত্তি কৰাই দিলে। ভৰ্ত্তি হবৰ দিনাই এজন অসমীয়া হিন্দু শিক্ষকে কিয় কব নোৱাৰো—বোধকৰো শৰীৰত "ব্ৰহ্মজ্যোতিঃ স্ফুৰিত" হোৱা দেখিয়েই হবলা—মোৰ নাম শ্ৰীব্যোমপ্ৰকাশ শৰ্ম্মা বুলি লিখিলে। সেই পাঁচবছৰ বয়সতে 'শৰ্ম্মা' ফৰ্ম্মাৰ একো ধাৰ মই খোৱা নাছিলো যদিও খুব মনত আছে যে নামৰ শেষত নেজ এদাল লগাবলৈ পাই আৰু সম্প্ৰতিকলৈ ব্ৰাহ্মণ বুলি জনাজাত হব পাৰি মোৰ মন আনন্দত ভৰপুৰ হৈ পৰিল। প্ৰকৃত ব্ৰাহ্মণ জাতটো যে এটা ছুই-ঢুকি নোপোৱা উচ্চতম সম্প্ৰদায়, এই ধাৰণাটো এতিয়া থকাদৰে সেই তাহানিও অস্পষ্টভাৱে মোৰ মনত আছিল। নেহাৎ বামুণ হবলৈ পাই মোৰ মন কেনে হব পাৰে নকলেও হব। কিন্তু হঠাৎ ব্ৰাহ্মণত্বৰ মধুৰস মই বেছি দিনলৈ ভোগ কৰিব নাপালো। 'গোলা-ঘটীয়া মুন্সী' ছুটীৰ অন্তত স্কুললৈ আহি অকল মোৰ হাতৰ পৰাই যে ব্ৰাহ্মণত্বৰ ৰহঘৰা কাঢ়ি নি ক্ষান্ত' থাকিল এনে নহয়; চণ্ডাল লৰা এটাক ব্ৰাহ্মণ বুলি লিখাত হিন্দু শিক্ষক গৰাকীকো যথেষ্ট তিৰস্কাৰ কৰিলে।

মুছলমান মুন্সীজনৰ সেই বজ্ৰকঠোৰ বচন শুনি মোৰ মনত তেতিয়া কি ভাবৰ উদয় হৈছিল, আজি অজ্ঞাত। কিন্তু অতি সন্তৰ্পণে যে এটা হৃদয়ভেদী হুমুনিয়াহ মো

বুকুৰ মাজৰ পৰা ওলাই গল, সেই কথা হলে চিৰদিনলৈকে সুৱঁৰি থাকিম। আজি যৌৱনৰ সকলো গৰ্ব্ব আগত লৈ সেই বিষয়ে চিন্তা কৰিলে মোৰ মনত খেলায় যে, তেতিয়াই মৰণক আলিঙ্গন কৰা হলে মই কিজানি বৰ সজ কামকে কৰিলোহেতেন। মাত্ৰ এটা উপাধি—ইয়াৰ কাৰণেই স্বৰ্গ আৰু মৰ্ত্ত্যৰ ব্যৱধান মানুহৰ মাজত আহি পৰে। কিন্তু, যাওক সেইবোৰ কথা।

বয়সৰ লগে লগে মই জানিব পাৰিলো যে আমাৰ ঘৰ খনৰ সৈতে সমাজৰ অন্যান্য লোকে খোৱা-বোৱা নকৰে। প্ৰথম ডোখৰত ভাবিছিলো যে আমাৰ দাৰিদ্ৰ্যই কিজানি এই নোখোৱা নোবোৱাৰ হেতু। কিন্তু যেতিয়া হৃদয়ঙ্গম হল, আমাৰ দৰিদ্ৰতা একেবাৰে কঁকাল-পৰা বিধৰ নহয়—আৰু নিৰ্দ্দোষী ডাল দ্ৰৰিদ্ৰৰ লগতো সমাজে ব্যৱহাৰ নকৰাকৈ নাথাকে—তেতিয়া বুজিলো ইয়াৰ কিবা গূঢ়ৰহস্য আছে। যেনি যাওঁ তেনিয়েই কেৱল 'ছুবি' 'ছুবি' ৰব। পৰাণৰ সপ্তম স্তৰত মোৰ হৃদয়দেৱতা সেই চালুকীয়া কালতে কালকূটৰ এই আতঙ্কদায়ক মূৰতি দেখি ত্ৰস্ত হৈ উঠিছিল। লগে লগে নৰ-নাৰায়ণৰ দ্বাৰা অভিশপ্ত আমাৰ ক্ষুদ্ৰ পৰিয়ালটোলৈকো মই সেই সময়ত ৰুষ্ট হৈ পৰিছিলো।

সেই বেলি দ্বাদশবাৰৰ কাৰণে ঋতুপতিয়ে তেওঁৰ অমৃত পৰশেৰে মোৰ মনোপঙ্কজ বিকশিত কৰিব খুজিছিল। মই প্ৰাইমাৰী স্কুলৰ পৰা বৃত্তি ধৰি তেতিয়া মধ্য ইংৰাজী স্কুলৰ তৃতীয় শ্ৰেণীত ভৰ্ত্তি হৈছো। নৱ পল্লৱিত বিটপীপুঞ্জৰ সুন্দৰতা ভৰা কুঞ্জত উপৱেশন কৰি পৰভূত গায়কে পঞ্চম তানত বসন্ত ৰাগৰ আলাপ কৰে, মোৰ মানসপটত কল্পলোকৰ আলোকপূৰ্ণ দৃশ্য আহি উদ্ভাসিত হয়। সেই বাবেই মই সৰ্ব্বপ্ৰথমতে বিদ্যালয়ৰ সৰস্বতী পূজাত যোগ দিলো।

মাধুৰ্য্যময় কি সুন্দৰ অনুভূতি!—জয় জয় দেৱী চৰাচৰ সাৰে……অৰ্থ যদিও বুজা নাছিলো, ভক্তিপূৰ্ণ-হৃদয়েৰে সবাৰে সৈতে গাবলৈ পাই শৈশৱৰ সেই পুণ্য আবেগ মোৰ ক্ষুদ্ৰ অন্তঃকৰণত বহুগুণে চৰি গৈছিল। মই ভাবিছিলো, মহিমময়ী বাক্য-ঈশানীৰ চৰণপ্ৰান্তত কোটিজন্মলৈকে যদি অৱলুণ্ঠিত হৈ জীৱন সাৰ্থক কৰিব পাৰিলো হেঁতেন!!

এনে মনোহৰ স্মৃতি মনত অতি যতনেৰে সাচি ৰাখি পূজান্তত 'পাৰণ' কৰিবলৈ বহিলো! কিন্তু পশ্চিম দেশীয় অম্বষ্ঠ আৰু অসমীয়া চণ্ডাল কন্যাৰ সংযোগত যি প্ৰাণী উপজিছে, ভাৰতীয় হিন্দুজাতিৰ সমাজত বহি 'পাৰণ' কৰাৰ অহংকাৰ সি কোন উপায়েৰে বজায় ৰাখিব?—হা ভগৱান!

ছাত্ৰবন্ধুকেজনৰ উপেক্ষা আৰু ফিচিঙা-ফিচিঙ ভাৰবোৰ সহিব নোৱাৰি ঘৰলৈ উভতি গৈ মই কান্দিব ধৰিলো। বেদনাপ্লুত আত্মাৰ গভীৰ আৰ্ত্তনাদ! অন্তৰৰ অন্তস্থলত কোনোবাই যেন কৈ উঠিল—অভিশপ্ত অভাগা, যিমান পাৰ কান্দি ল' জীৱনৰ শেষমুহূৰ্ত্ত পৰ্য্যন্ত অশ্ৰুনাটৰ তই প্ৰধান নায়ক হব লাগিব।

হৃদয়ৰ জুই ধম্ ধম্ কৰে জ্বলি উঠিল। সত্যৰ ভৈমী ঝটিকা প্ৰৱাহত সমাজৰ সকলো আৱৰ্জ্জনা অতি সোনকালে দূৰীভূত হোৱা যে নিতান্ত আৱশ্যক—সেই বাৰ বছৰ বয়সতে মই হৃদয়ঙ্গম কৰিব পাৰিছিলো। কিন্তু সমাজৰ বিচাৰে পিতৃস্নেহবঞ্চিত যি অভাগাৰ পৰা তাৰ দহ বছৰ বয়সতে মাতৃপদ বন্দনাৰ জন্ম অধিকাৰ ফেৰিও কাঢ়ি লয়, সি কিহৰ আস্পৰ্দ্ধাত আজি এই কথা কবলৈ ওলাইছে?

পোন্ধৰ বছৰ পাওঁতেই চাৰিদিনৰ অগা-পিছাকৈ ককা আৰু বুঢ়ীআই মৃত্যুৰ মুখত পৰে। তেতিয়া মোৰ গোঁফ কেইদাল মান ঠুটিয়াইছে হে মাথোন। আগতপ্ৰায় যৌৱনৰ ৰাঙচীসপোন মোৰ মনোদৃষ্টিৰ সমুখত নাচি ফুৰিছেহি—মই তেতিয়া মাইনাৰৰ ছেকেণ্ড ক্লাছত। মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ কথা ঘুনুক ঘানাককৈ কাণত পৰিছে। অভিভাৱক নাই। প্ৰতিবেশী স্বৰ্ণকান্ত বাবুৰ আত্মজা সৰযুবালাৰ অকালমৃত্যু হোৱাত মনটোও বেয়া লাগি আছিল। পঞ্জাবৰ হত্যাকাণ্ড আৰু খিলাফৎ অন্যায় যি গৱৰ্ণমেণ্ট কৰে, সেই গৱৰ্ণমেণ্টৰ বিদ্যালয়ত অধ্যয়ন কৰা পাপ বুলি মই স্কুল এৰি পেলালো। এটা বিৰাট ছাত্ৰসংঘৰ আগত অসহযোগৰ বিষয়ে মই পোন-প্ৰথমতে যিখন ৰচনা পাঠ কৰিছিলো, শুনি সকলোৱেই

মোক ধন্য ধন্য বুলিবলৈ ধৰিলে। উঃ হাতচাপৰিৰ কি যে ৰোল!

• • •

নেশ্যনেল স্কুলত মাহদিয়েক পঢ়ি মই 'কাপ্তেন'ৰ দলত ভুক্ত হলো। উত্তৰাধিকাৰীত্ব সূত্ৰে পোৱা বয়বস্তু আৰু ভূ সম্পত্তিবোৰ ক্ৰমাগত অইনক মুদ্ৰাৰ সলনি দান কৰি মই একেবাৰে চিন্তাৰ হাত সাৰিবলৈ কাৰবাৰ কৰিলো। সেই সময়ত মেজৰ চাউলৰ ভাত আৰৱীয়ান ফাউলৰ সুখাদ্য ব্যঞ্জন, গুণা পাৰিৰ ৪৫ ইঞ্চি ছিমলাহি চুৰীয়া, তদুপযোগী উৰ্দ্ধবাস আৰু পদাৱৰণ, হাস্নাহেনাৰ সুবাস আৰু টমজিন-ভাৰমাউথ স্কচ হুইস্কী প্ৰভৃতিৰ ব্যৱহাৰ দেখি কোনেও মোক জমীদাৰ পুত্ৰ নহয় বুলি কবলৈ বা ভাবিবলৈ সুযোগ পোৱা নাই। মুঠতে Eat, drink and be merry—এইটোৱেই তেতিয়া মোৰ জীৱনৰ মূল হৈ পৰিল।

• • •

কুৰিবছৰ বয়সত প্ৰাইভেটকৈ প্ৰৱেশিকা পৰীক্ষা পাছ কৰি কলেজত সোমাওঁ; বিশ্ববিদ্যালয়ৰ দ্বিতীয়স্থান অধিকাৰ কৰি ইণ্টাৰমিডিয়েট পৰীক্ষাত বৃত্তি ধৰো। যথাসময়ত তুলনামূলক পৰমাৰ্থবিদ্যা আৰু প্ৰাচীনশিক্ষা বিষয়ক পৰীক্ষাত শীৰ্ষস্থান অধিকাৰ কৰি সুখ্যাতিৰে মই বি-এ পাছ কৰিলো। ক্ষুদ্ৰজীৱনত এটা স্মৰণীয় ঘটনা! এটা এটাকৈ জীৱনৰ অতীত কাহিনীবোৰ মনত পৰিল। ইজিচেয়াৰত বহি আছো। টেবিলত বাতৰিকাকত, এনিবেছাণ্টৰ গীতা আৰু ভট্ট মোক্ষমূলাৰৰ জাতিভেদ সম্পৰ্কীয় এখন ইংৰাজী পুথি;—ওচৰতে সোফালে ট্ৰে এখনত চাহ আৰু আনুষঙ্গিক আহাৰীয়। দিনকৰ অস্তাচলগামী। আলিবাটৰ দুয়ো দাঁতিয়ে থকা শিৰীষ গছবোৰৰ শীৰ্ষদেশত নলিনীপতিৰ অন্তিম তৰণিপ্ৰৱাহ পতিত হৈ এক অপূৰ্ব্ব দৃশ্যৰ সমাৱেশ কৰিছে। বাগিচাৰ গধূলিগোপাল কেজোপা ঠন ধৰি উঠিছিল! হঠাৎ এমিলিয়াৰ ললিত কণ্ঠধ্বনি শ্ৰুতি গোচৰ হল—কাৰণ বেহাগৰ অন্তিম মূৰ্চ্ছনা! শ্ৰেষ্ঠ সৌন্দৰ্য্যৰ অধিকাৰিণী গুণৱতী তন্বীৰ মনোজগতত আজি ই কিহৰ বিপৰ্য্যয়? সৰহপৰ ভাবিব নোৱাৰিলো—এমিলিয়াৰ বাপেকে আহি কলে, "বোপা, তোমাক বেপ্টাইজ্‌ড্ কৰাৰ দিনৰে পৰা যি অভিলাষ সংগোপনে হৃদয়ত পোষণ কৰিছিলো, সেই অভিলাষ প্ৰভু ক্ৰাইষ্টৰ মহিমাত আজি পূৰ্ণ হবৰ উপক্ৰম। এমিলিয়া আৰু তোমাৰ সংযোগত প্ৰেমময় যীশুৰ প্ৰণয়ৰাজ্য পৃথিৱীত বিস্তাৰিত হব বুলি মই আশা কৰিব নোৱাৰো নে?"

• • •

আজিকালি মই আমেৰিকান ব্যাপ্টিষ্ট মিশ্যনৰ দুশটকীয়া প্ৰচাৰক। কৰ্ম্মস্থল বাৰাণসী। উষাসুন্দৰীৰ আগমনৰ লগে লগেই ৰাজবৰ্ত্মত গঙ্গা-অন্নপূৰ্ণা-শঙ্কৰৰ পুণ্যময় স্তৱৰাজি শ্ৰুতিসুখকৰ মধুৰাগিণীৰে গীত হয়, হৃদয়ভেদা দীৰ্ঘনিশ্বাস এটিয়ে স্পন্দনৰ সহিতে ব্যোমপ্ৰকাশৰ কথা স্মৃতিটিলৈ আনে। পুণ্যচৰিতা এমিলিয়াৰ পাণিগ্ৰহণ প্ৰস্তাৱ হৃদ্‌পিণ্ড চূৰ্ণ কৰাৰ লগে লগে প্ৰত্যাখ্যান কৰি আহিছো। সুদীৰ্ঘ পঁচিশ বছৰৰ পাছত উপযুক্তা কায়স্থ-পাত্ৰীৰ সৈতে ব্ৰাহ্মমতে পৰিণয়ৰ বিষয়ে জন্মদাতাই যি পত্ৰ পঠাইছিল, তাকো ঘৃণাভৰে অগ্নিত সমৰ্পণ কৰিলো। মোক সমাজ নালাগে, সংসাৰ নালাগে—কিন্তু আৱশ্যক আছিল "হিন্দুত্বৰ"! মোৰ কুল ধৰ্ম্ম, উজ্জ্বল-মধুৰ-শান্ত-মহান হিন্দুধৰ্ম্ম—অপৰাধ নলবা। মোৰ পিতা "পচিমীয়া বঙাল" আৰু আই চণ্ডালিনী বুলি মই জন্মৰ সময়ত তো জনা নাছিলো!

———

মন্দিৰলৈ

—কবিতা

—শ্ৰীযুত মলিনচন্দ্ৰ বৰা

কোন দেৱতাৰ চৰণ পূজাৰ
ভক্তি-অৰ্ঘ্য হাতত লৈ
কিয়বা বাটতে থমকি বলাহি
হে ৰমণী ! তন্ময় হৈ ?

নৱৰা নৱৰা যোৱা আগ বাঢ়ি
সময় নেথাকে বৈ ;
পূজাৰ পৰতে নেপালে দেৱতা
নোপোৱা পিছত গৈ !

পুণ্য মন্দিৰৰ দুৱাৰ মুখত
কোন প্ৰেমিকৰ পৰশ সুখত
স্মৃতিৰ আঘাত লাগিল বুকত
শিয়ৰি তোমাৰ প্ৰাণ ;
নিমিষতে নাৰী যাৰ হেতু হলা
মৰ্ম্মাহত ম্ৰিয়মান ?

পূৰ্ব্বৰাগ যদি মনত পেলাই
পবিত্ৰ চিতেৰে আৰতি শুনাই
পূজা তুমি নাৰী দেৱতা সদায়
পূৰ্ণ হব অভিসাৰ ;
বিদ্যুৎ আলোকে আলোকিত কৰি
নিমিষতে খুলি দ্বাৰ।

তেতিয়া তোমাৰ নেথাকে ৰমণী
সেই চিন্তা সেই ভাব ;
আপুনি কেনিবা দূৰ হই যাব
সপোনৰ ছায়া চাব।

সেই প্ৰেমিকৰ পৰশ সুখত
আকউ বাজিব কোমল বুকত
প্ৰণয় সঙ্গীত দীপক সুৰত
পুলকে কঁপাই শিৰ ;
নিজস্ব পাংৰি পূজালৈ ভুলিবা
তুলি নম্ৰ নত শিৰ।

—x—

বিশ্ব প্ৰৱাহ

মহাত্মা গান্ধী :—



গ্ৰামোফোনত বাণী দিয়াৰ সময়ত



বিলাতত



মহাত্মাজীৰ মডেল সাজিবলৈ আমেৰিকান আৰ্টিষ্টৰ চেষ্টা

চাৰমেৰিণ নটিলাচেৰে উত্তৰ মেৰু ঃ—



চাৰ হিউৰার্ট উইলকিন্‌চে নটিলাচ নামে এই চাৰমেৰিণ খনেৰে উত্তৰ মেৰুলৈ যাত্ৰা কৰিছিল। তেওঁ যে একেবাৰে শেষ সীমাত ওলাব নোৱাৰিলেও, যিমান খিনিলৈ গৈছিল এতিয়ালৈ কোনেও তাললৈ যাব পৰা নাই। এনে ধৰণৰ যাত্ৰা তেওঁৰে প্ৰথম। ইমান দিন দিসকলে এই উত্তৰ মেৰু যাত্ৰাৰ চেষ্টা আৰম্ভ কৰিছিল তেওঁলোকে কেতিয়াও আশা কৰিব পৰা নাছিল যে ইমান খিনিলৈ যাব পৰা হব। এই যাত্ৰাৰ বৈজ্ঞানিক ফলাফল অসীম বুলি অনুমান কৰা হৈছে।

উত্তৰ মেৰু ভ্ৰমণৰপৰা নটিলাচ আহি বাৰ্গেন পোৱাৰ সময়ত এই ছবি লোৱা হৈছিল।

চাৰ হিউৰার্ট উইলকিন্‌চে এই প্ৰথম বাৰতে উত্তৰ মেৰু পাবলৈ আশা কৰা নাছিল। যাত্ৰীসকলে এই বাৰত উত্তৰ মেৰুৰ বৰফৰ লগত দেখাদেখি হোৱাকে আৰু আৰ্কটিক মহাসাগৰৰ বৰফৰ তলেদি ডুবাটোকে বৰ সৌভাগ্য বুলি ভাবিছিল। এয়ে যে অসীম সাহসিকতাৰ কাম আছিল তাত কোনো সন্দেহ নাই।



আৰ্কটিক মহাসাগৰৰ বৰফৰ ওপৰত ডুবিলাকে নামিছে।



আৰ্কটিক মহা সাগৰৰ মাজেদি নটিলাচ যাব লাগিছে





আৰ্কটিক মহাসাগৰৰপৰা বেতাৰেৰে বহির্জগতৰ লগত খা-খবৰ কৰিব লাগিছে।

ডুবিলাকে সাগৰৰ তলিলৈ নামি যাব লাগিছে।

উদীয়মান জাপান ঃ—



জাপানী উৎসৱত ধনুৰিদ্যা

মিঃ কাকো নেয়া জাপান ধনুবিদ্যা সমিতিৰ এগৰাকী বিশেষজ্ঞা। জাপানী সকলে আজিকালি এই ধনুবিদ্যাত বিশেষ সুখ্যাতি লাভ কৰিছে।



জাপানৰ নৃত্য ৰীতি

জাপানৰ ৰাজ চোতালত বহু তিৰোতাই নাচি ৰজাৰ কল্যাণ কামনা কৰে। মোৱা বছৰত যি নাচ হৈছিল তাত প্ৰায় ৪০০ তিৰোতাই যোগ দিছিল।



'টাকুৱা' সকলৰ উপাসনা

জাপানৰ এটা মন্দিৰত উপাসনা কৰিবৰ নিমিত্তে যিসকলে যোগ দিছিল, বৰ আচৰিত হব লগীয়া কথা যে সেই আটাই-বিলাকৰে মূৰত টাক পৰা আছিল।



চামুৰাইৰ প্ৰতিধ্বনি

জাপানৰ মিকাডোৰ ভায়েক কুমাৰ চামীৰ নামানুসাৰে যি চামীডা পাৰ্ক খোলা হৈছিল তাত যিসকলে যোগ দিছিল তেওঁলোক আটায়ে ৩০০ বছৰৰ আগৰ চামুৰাই ধৰণৰ সাজপি ন্ধিব লাগিছিল।



বেৰণ বেজিবো ৱাকাট্‌চুকী আৰু তেওঁৰ সহধৰ্ম্মিণী টকুকো ৱাকাট্‌চুকী। যোৱা এপ্ৰিল মাহত বেৰণ ৱাকাট্‌চুকী মিঃ হামাগুচীৰ ঠাইত প্ৰধান মন্ত্ৰী নিযুক্ত হৈছে।

জাপানৰ নতুন প্ৰিমিয়াৰ



জাপানৰ টোকিও চহৰৰ হাৰিয়া পাৰ্কত এই ফুল-উৎসৱ বহে। এই উৎসৱত লাখ লাখ মানুহে যোগ দিয়ে। যোৱা বছৰৰ এই উৎসৱত শ্যাম দেশৰ সম্ৰাট আৰু সম্ৰাজ্ঞীয়েও যোগ দান কৰিছিল।

গৌতমৰ স্মৃতিৰ অৰ্থে জাপানত ফুল-উৎসৱ

অসম সাহিত্য সভাত বেজবৰুৱাৰ অভিনন্দন—

শিৱসাগৰত অসম সাহিত্য সভাৰ অধিবেশন যোৱা ডিচেম্বৰৰ ২৭.২৮ তাৰিখে "কালীপ্ৰসাদ হলত" অতি সুন্দৰকৈ সম্পন্ন হ'ল। ২৯ ডিচেম্বৰৰ দিনা শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াক সম্বৰ্দ্ধনা কৰা হয়। সম্বৰ্দ্ধনা সভাৰো সভাপতি আছিল, সাধাৰণ সভাৰ সভাপতি শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী ডাঙৰীয়া।



৺কালীপ্ৰসাদ চলিহা—এখেতৰ নামানুসাৰে এখেতৰ সুযোগ্য পুত্ৰ শ্ৰীযুত তাৰাপ্ৰসাদ চলিহা বাৰ-এট-ল ডাঙৰীয়াই শিৱসাগৰত "কালীপ্ৰসাদ হল" দান কৰিছে।

সম্বৰ্দ্ধনাৰ নিমিত্তে যি বেদী ৰচনা কৰা হৈছিল তাক বৈদিক যুগৰ আভাসেৰে ধূপ, দাপ, ধুনা আৰু শৰাইৰে সজোৱা হৈছিল। বেজবৰুৱা ডাঙৰীয়াক আনি বেদীত বহুৱাই কেবাটিও সৰু সৰু ছোৱালীয়ে আদৰণী গীত গায় পিছত শ্ৰীযুত দেৱেশ্বৰ চলিহা ডাঙৰীয়াই সময়ৰ উপযোগী অভিনন্দনৰ সূচনা কৰি এতাই অভিনন্দন পাঠ কৰে। অভিনন্দন খনি সাঁচিপাতত সুন্দৰকৈ ছপা কৰি কাৰুকাৰ্য্য কৰা হাঁতীদাঁতেৰে তৈয়াৰি সৰু বাকচত ভৰাই পিতলৰ শৰাই এখনিৰে দিয়া হৈছিল। সম্পাদক ডাঙৰীয়াই অভিনন্দনখনি অতি সুন্দৰ সুৱলা মাতেৰে সভাঘৰ জিনি যোৱাকৈ পঢ়াৰ পিছত মহিলাসকলৰ উৰুলী ধ্বনি আৰু বাইজৰ হাত চাপৰিত এক অপূৰ্ব্ব দৃশ্যৰ সৃষ্টি হৈছিল। সাহিত্য সভাৰ জীৱনত এই দিন চিৰস্মৰণীয় হৈ থাকিব।



শ্ৰীযুত তাৰাপ্ৰসাদ চলিহা

অভিনন্দনৰ উত্তৰ স্বৰূপে বেজবৰুৱা ডাঙৰীয়াৰ কথা খিনিত আৰু শ্ৰীযুত নীলমণি ফুকন, শ্ৰীযুত কুলধৰ চলিহা, মৌলবী মফিজুদ্দিন আহম্মদ হাজৰিকা—এখেত সকলৰ বাগ্মীতাত বেজবৰুৱা ডাঙৰীয়ালৈ প্ৰীতি, ভক্তি আৰু দেশলৈ এটা কৰ্ত্তব্যৰ ভাৰ সকলোৰে মনত উপচি পৰিছিল। প্ৰধান সম্পাদকৰ সূচনা আৰু অভিনন্দন পত্ৰ তলত প্ৰকাশ কৰা হ'ল।

সূচনা ঃ—

আজি আমাৰ অসম সাহিত্য সভাৰ জীৱনত এটি অতি বিতোপন আৰু অভিনৱ অনুষ্ঠান, আৰু তাৰ লগতে মোৰ,—এই অভাজনৰ জীৱনৰো ই এটি অন্তৰ-ভেদী বিশুদ্ধ আনন্দৰ ধ্বনি। আমাৰ অসমৰ সাহিত্যিকসকলৰ

ভিতৰত উজ্জ্বল ৰত্ন, যি জনে আজীৱন নিঃস্বাৰ্থ ভাৱে স্বদেশ প্ৰেমিকতাৰ অনুৰাগত অসমীয়া ভাষাৰ সুনাম ৰক্ষা কৰি, সাহিত্য আৰু ভাষাৰ একেলগে দৃঢ় ভেটি বান্ধি, অসমীয়া সমাজৰ জাতীয় জীৱনৰ পুষ্টি সাধন কৰি আহিছে, তেখেতক,—শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াক আজি আমি সদৌ অসমীয়া ৰাইজৰ হৈ অসম সাহিত্য সভাই সম্বৰ্দ্ধনা জনাব খুজিছোঁ, মৰমৰ এখনি অভিনন্দন পত্ৰ তেওঁৰ কৰ-কমলত অৰ্পণ কৰিব খুজিছোঁ।



শ্ৰীযুত দেবেশ্বৰ চলিহা

শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ নাম আজি সৰু, বৰ, ল'ৰা, বুঢ়া সকলোৰে অতি আদৰৰ বস্তু। তেওঁৰ হাঁহি ধেমেলীয়া ৰচনাৰপৰা আধ্যাত্মিক গহীন ৰচনাৱলীলৈকে সকলোবিলাক লিখায়ে অসমীয়াৰ অন্তৰত স্বদেশহিতৈষীতাৰ তেজ সঞ্চাৰ কৰিলে।

অতীত যুগত, যোৱা শতিকাৰ শেষভাগত, অসমীয়া ভাষা যেতিয়া বিদেশীৰ নিগ্ৰহত নিজৰ অস্তিত্ব লৈ টনা আজোৰা কৰিব লগীয়াত পৰিছিল, শ্ৰীযুত বেজবৰুৱা ডাঙৰীয়াই আন আন কৃতী লগৰীয়াৰ লগ লৈ "জোনাকী" কাকত উলিয়াই ভাষাৰ পুৰণিকলীয়া ভিত্তি প্ৰকাশ কৰিবলৈ ধৰি জাতিৰ চৈতন্য উদ্বোধনৰ চেষ্টা কৰিছিল আৰু সেই লিখনীৰে তেখেতে তেতিয়াই সাহিত্যৰ অন্তৰ্নিহিত যি আদৰ্শ দেখুৱালে, সেই আদৰ্শৰ পোহৰেই এতিয়াও অসমীয়া সাহিত্যত বিকাশ পাই আছে। আৰু সেই আদৰ্শৰ প্ৰতিবিম্বৰ প্ৰভাৱ আজিলৈকে আমাৰ হিয়াত জিলিকিব লাগিছে। শ্ৰীযুত বেজবৰুৱা ডাঙৰীয়াৰ "ভেমপুৰীয়া মৌজাদাৰ", "ডম্বৰুধৰৰ প্ৰেমালাপ" "জগৰা মণ্ডলৰ প্ৰেমাভিনয়"ৰ হাস্যৰসৰ মাজেদি অসমীয়া মানুহৰ সামাজিক ছিত্ৰ আৰু কুসংস্কাৰবোৰৰ যি তীব্ৰ আৰু চোকা সমালোচনা কৰিছিল তাক কোনে পাহৰিব পাৰিব? তাহানিখনৰ "লিটিকাই" "কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা" "কৃপাবৰ বৰবৰুৱাৰ ভাবৰ বুৰবুৰণিয়ে" আমাৰ আমঠুলৈকে ভেদি যোৱা নাই নে? ইফালে আকৌ তেওঁৰ "বুঢ়ী আইৰ সাধু", "ককাদৌতা নাতিলৰা" "সতী জয়মতী", "পদুমকুঁৱৰী" আদি অসমীয়া জাতীয় আৰু বুৰঞ্জীমূলক ঘটনাৱলীয়ে আৰু শঙ্কৰ-মাধৱদেৱ আদিৰ চৰিতাৱলীয়ে আমাৰ মনত স্বদেশপ্ৰীতি আৰু স্বদেশ মাহাত্ম্যৰ জ্ঞান উদ্দীপন কৰা নাছিল নে?

বেজবৰুৱা ডাঙৰীয়া গোটেই জীৱন বিদেশত আছে। বৈৱাহিক আৰু ব্যৱসায়সূত্ৰত তেওঁ বিদেশীৰ লগতে সদায় সংশ্লিষ্ট। ছাত্ৰাৱস্থা সামৰণি কালৰপৰাই তেওঁ ঘৰে-বাহিৰে বিদেশী ভাৱ আৰু বিদেশী চলন-ফুৰণৰ মাজেদিয়েই ডাঙৰ দীঘল হৈছে বুলি কলে বৰ বঢ়াই কোৱা নহব। তথাপি তেওঁৰ নিজৰ দেশৰ প্ৰতি, নিজৰ ভাষাৰ প্ৰতি, নিজৰ মানুহৰ প্ৰতি, ইমান অকপট মৰম, অকৃত্ৰিম অনুৰাগ,—তাক দেখিলে কোন অসমীয়াই মনে-প্ৰাণে তেওঁক পূজা কৰিবৰ মন নাযাব? অসমৰপৰা যিমানেই দূৰলৈকে তেওঁ আঁতৰি গৈছে তিমানেই তেওঁৰ অন্তৰাত্মাই নিজৰ দেশৰ প্ৰতি প্ৰৱল ধাউতি দেখুৱাইছে।

অসমীয়া ভাষা আৰু অসমীয়া মানুহৰ জাতীয়তা অক্ষুণ্ণ ৰাখিবলৈ যত্ন কৰাই বোধ কৰোঁ বেজবৰুৱা ডাঙৰীয়াৰ জীৱনৰ এটা মূল মন্ত্ৰ। এই মূলমন্ত্ৰকে সাৰোগত কৰি তেওঁ আজীৱন ৰণক্ষেত্ৰত নামি সদাই যুদ্ধত ৰত আছে। তৰ্ক-যুক্তি বহুত সময়ত শুকান আৰু নীৰস; কিন্তু বেজবৰুৱা ডাঙৰীয়াৰ তৰ্ক তিতা, মিঠা নানা ৰস মিহলাই যি বাক্য বাণেৰে শত্ৰুৰ শৰ ভেদিছিল সি যুক্তি তৰ্কতকৈ বেছি প্ৰৱল। এনে হাস্যৰসেৰে পৰিপূৰ্ণ প্ৰবন্ধৰ হেঁচাত বিদেশীৰ কুটিল কটাক্ষ যে একেবাৰেই লোপ হ'লেই, তদুপৰি সেই প্ৰসঙ্গতে বেজবৰুৱা ডাঙৰীয়াৰ লেখনীৰপৰা ওলোৱা নিভাঁজ ঘৰুৱা অসমীয়া শব্দই আৰু ঘৰুৱা শব্দৰ ঠাচে আমাৰ ভাষাৰ সাহিত্য ৰচনা পদ্ধতিৰ (Literary style) আদৰ্শ দেখুৱালে, আৰু অসমীয়া সাহিত্যত নতুন হাস্যৰসৰ অৱতাৰণা কৰিলে। মুঠতে আজি যি জনক অসম সাহিত্য সভাৰপৰা সম্বৰ্দ্ধনা কৰিব খুজিছোঁ, তেখেত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এক উজ্জ্বল নক্ষত্ৰ স্বৰূপ বৰ্ত্তমান কালৰ দৰে পিছৰ যুগ যুগান্তৰলৈকে পোহৰাই থাকিব।

বেজবৰুৱা ডাঙৰীয়াৰ জন্মস্থান শিৱসাগৰত। এয়ে তেওঁৰ ল'ৰা কালৰ ধেমালিৰ ঠাই আৰু ছাত্ৰাৱস্থাৰো প্ৰথম ঠাই। ইয়াতে তেওঁৰ অকৃত্ৰিম চেনেহৰ ভাই বন্ধু আছে। এই শিৱসাগৰতে আজি আমি বেজবৰুৱা ডাঙৰীয়াক সন্মান দেখুৱাবলৈ পাই অতিশয় গৌৰৱান্বিত বোধ কৰিছোঁহক। বেজবৰুৱা ডাঙৰীয়াক এই সন্মান

দেখুৱাওতে আমি ধনৰ দুখীয়া হব পাৰোঁ, নানা প্ৰকাৰ বাহ্যিক জকমকীয়া সোণৰূপৰ টেমা সাজি সোনালী কাকতত সোনালী আখৰেৰে অভিনন্দন দিব নোৱাৰিব পাৰোঁ, কিন্তু আমি অন্তৰত নিঃকিন নহওঁ, ভাবত নিচলা নহওঁ। আমাৰ আশাশুধিয়া অন্তঃকৰণেৰে "কেৰ্কেটুৱাৰ বাই পাতেই ভেটি" চেনেহী অসমীয়া কথাৰেই, আহাঁ আজি আমি সকলোৱে বেজবৰুৱা ডাঙৰীয়াক সম্বৰ্দ্ধনা জনাওঁহক।

অভিনন্দন :—

হে মাননীয় ডাঙৰীয়া!

এই "চিকুণী অসমী আই"ৰ অতীতৰ গৌৰৱেৰে ভৰপূৰ, অহম ৰজাসকলৰ ৰাজধানী আৰু আপোনাৰ অতি মৰমৰ ওপজা ঠাই শিৱসাগৰত লালিত পালিত হোৱা সেই ছাত্ৰ জীৱনৰেপৰা, সুদূৰ সম্বলপুৰত ব্যৱসায়সূত্ৰত আৱদ্ধ থকা এই ভাটী বয়সলৈকে, পঢ়োঁতে পমি যোৱা, শুনোতে শাঁত-লগা, মৌ-বৰষা মাতেৰে, অসমীয়া সাহিত্যৰ আশাশুধীয়া চৰ্চ্চা আৰু বিতোপন বিকাশ কৰি আপুনি মাতৃ-ভাষাৰ জেউতি চৰাই আছে।

তাহানিৰ বিদেশীসকলে আমাৰ ভাষাৰ ওপৰত নিগ্ৰহ-আন্ধাৰৰ ছাঁ পেলোৱা কালত আপুনি আপোনাৰ সহযোগী সুযোগ্য বন্ধুসকলেৰে সৈতে "জোনাকী"ৰ পোহৰেৰে আমাৰ ভাষাৰ মুখ উজ্জ্বল কৰি থৈছে।



শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা

আপোনাৰ বহুমূলীয়া জীৱনৰ কৰ্ম্মশীল ডেকাকাল আৰু চিন্তাশীল ভৰবয়স বিদেশত অনেক জঞ্জালৰ মাজত কটাব লগীয়া হৈয়ো আপুনি এই দুখুনী আসাম দেশলৈ আৰু নিঃকিন অসমীয়া প্ৰজাসকললৈ নিজৰ মৰম অটুট ৰাখি নানা-তৰহৰ গীত, কবিতা, নাটক, উপন্যাস আদি সাহিত্যৰ বাছকবনীয়া আভৰণেৰে মাতৃ-ভাষাক সজাই আছে।

অসমীয়া সমাজৰ মাজত স্বদেশ-প্ৰীতিৰ প্ৰচাৰ কৰিবলৈ, মাতৃভাষাৰ প্ৰতি জনসাধাৰণৰ অনুৰাগ বঢ়াবলৈ আৰু আসামত জাতীয় জাগৰণৰ উদগনি দিবলৈ আপুনি কলিকতাতে তাহানিখনেই প্ৰতিষ্ঠা কৰা "বাঁহী"ৰ সুললিত সুৰেৰে লুইতৰ ইপাৰ-সিপাৰ ঢৌৱাই এতিয়াও অসমীয়া ৰাইজৰ মন মুহি আছে।

অসমীয়া ভাষাৰ মধ্য-যুগৰ ধৰণী, অসমীয়া পুৰণি সাহিত্যৰ গুৰিয়াল আৰু প্ৰকৃতিৰ কাম্য-ভূমি কামৰূপত বৈষ্ণৱ-ধৰ্ম্মৰ প্ৰৱৰ্ত্তক মহাপুৰুষসকলৰ জীৱনীৰ সম্যক্ সমালোচনা কৰি, আপুনি তেখেতসকলৰ বহুবিধ কীৰ্ত্তি যুগমীয়া কৰিবলৈ সমুচিত যত্ন কৰি স্বদেশৰ আৰু স্বজাতিৰ গৌৰৱ অক্ষুন্ন ৰাখিবলৈ সমৰ্থ হৈছে।

হে মহানুভৱ!

আপোনাৰ অশেষ সুকৃতিৰ আদৰ কৰিবৰ উদ্দেশ্যেৰে অসমীয়া গুণগ্ৰাহী ৰাইজসকলৰ হৈ, সাহিত্যানুৰাগী সুধীসকলৰ হৈ, আসাম সাহিত্যসভাই আপোনাক অতি আনন্দেৰে আন্তৰিক সম্বৰ্দ্ধনা কৰিছে আৰু অভিনন্দনৰ এই আভাস মাথোন জনাইছে; আৰু আগলৈকো আপুনি নিজৰ ভাষাৰ আৰু দেশৰ নাম যাউতিযুগীয়া কৰিবলৈ সমৰ্থ হব, ইয়াকে সাহিত্য সভাই আশা কৰিছে আৰু সেই উদ্দেশ্যেৰে আপোনাৰ দীৰ্ঘ আৰু সুস্থ জীৱন কামনা কৰি জগদীশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাইছে। সাহিত্য সভাৰ অশেষ ত্ৰুটীলৈ লক্ষ্য নকৰি, সমজুৱাসকলৰ আন্তৰিক স্নেহ আৰু শ্ৰদ্ধাৰ আদৰ দেখুৱাই এই অকিঞ্চন অভিনন্দন গ্ৰহণ কৰি আপুনি আসাম সাহিত্য-সভাক যেন কৃতাৰ্থ কৰে। ইতি—

আপোনাৰ গুণ-মুগ্ধ আসাম-সাহিত্য-সভাৰ সভ্যসকলৰ হৈ—

শ্ৰীদেৱেশ্বৰ চলিহা,

প্ৰধান সম্পাদক—আসাম সাহিত্য সভা।

বিবিধ

ভাৰতীয় যোগীৰ অদ্ভুত ক্ষমতা

আজিকালি পাশ্চাত্য বিজ্ঞানৰ প্ৰভাৱত মানুহে সাধাৰণতঃ ভাৰতীয় যোগীসকলৰ অদ্ভুত যোগ-ক্ষমতাৰ কথা বিশ্বাস নকৰি উৰাই দিয়ে। কিন্তু সিদিনা দক্ষিণ ভাৰতৰ স্বামী নৰসিংহজী নামক যোগী এজনে কলিকতাত বিখ্যাত বিজ্ঞানবিদ্ কেজনমানৰ আগত যি ক্ষমতাৰ পৰিচয় দিলে, তাক চাৰ চি-ভি ৰমণ প্ৰমুখ্যে পণ্ডিতসকলে নিজ চকুৰে দেখিছিল, আৰু চাৰ চন্দ্ৰশেখৰে বাতৰি কাকতৰ প্ৰতিনিধিৰ আগত এই বুলি কৈছিল যে স্বামীজীৰ এই ক্ষমতাই আধুনিক বিজ্ঞানৰ লগত প্ৰতিদ্বন্দিতা কৰিছে। স্বামীজীয়ে বিজ্ঞানবিদ্‌সকলৰ সমুখতে কেই টোপামান বিষাক্ত মাৰাত্মক এচিড চেলেকি খাই পেলায় আৰু আধা ইঞ্চি দীঘল কেইটি মান গজাল গিলি দৰ্শক-সকলক চমৎকৃত কৰে। পিছত ৰঞ্জন ৰশ্মিৰে পৰীক্ষা কৰাত এই গজাল পেটৰ ভিতৰত দেখিবলৈ পোৱা যায়। স্বামীজীয়ে পটাছিয়াম চায়ানাইড বোলা অতি মাৰাত্মক বিষ এটিকো খাব পাৰে বুলি, আন আন ঠাইত খোৱা বুলি কেইখন মান চাৰ্টিফিকেট দেখুৱায়, আৰু সিদিনাও খাবলৈ আগ বাঢ়ে, কিন্তু, দৰ্শকসকলে তেওঁক এই বিষ খাবলৈ দিবলৈ মান্তি নহ'ল। তেওঁ নিজৰ যৌগিক ক্ষমতা দেখুৱাবলৈ য়ুৰোপলৈ যাবলৈ আগ বাঢ়িছে।

সূৰ্য্যৰ ৰশ্মিৰপৰা বৈদ্যুতিক শক্তি

নৈৰ সোঁত, জলপ্ৰপাত আদিৰপৰা বৈজ্ঞানিকসকলে বৈদ্যুতিক শক্তি উলিয়াবলৈ সমৰ্থ হৈছে। আকৌ কোনো কোনো বিজ্ঞানবিদে কৈছে যে সাগৰৰ ঢৌৰপৰাও এই শক্তি সঞ্চয় কৰিব পৰা হব। অলপতে জাৰ্ম্মানীৰ ডেকা বৈজ্ঞানিক এজনে লেবৰেটৰীৰ পৰীক্ষাৰ দ্বাৰা এইটো প্ৰমাণ কৰিব পাৰিছে যে সূৰ্য্যৰ ৰশ্মিকো অতি সহজ উপায়েৰে বৈদ্যুতিক শক্তিলৈ ৰূপান্তৰিত কৰিব পৰা যাব। যদি এয়ে হয়, তেনেহলে পৃথিবীৰ এটি বৰ ডাঙৰ অভাৱ পূৰ্ণ হব, আৰু প্ৰত্যেকে অতি সামান্য খৰচতে বৈদ্যুতিক শক্তি ব্যৱহাৰ কৰিব পাৰিব। আকৌ আন এদল পণ্ডিতে গণনা কৰি ঠিক কৰিছিল যে দুহাজাৰ বছৰ পিছত পৃথিবীত কয়লা নোহোৱা হব, গতিকে তেতিয়া কলকাৰ-খানা চলোৱা সম্পৰ্কে বৰ ডাঙৰ সমস্যা উপস্থিত হব। কিন্তু জাৰ্ম্মাণ বৈজ্ঞানিকৰ এই আবিষ্কাৰ কাৰ্য্যত সফল হলে, লগতে সেই সমস্যাৰো পূৰ্ণ সমাধান হব।

সহজ মৃত্যু

আমাৰ বাই-ভনী বা আন কোনো ওচৰ সম্পৰ্কীয় মানুহে যদি নৰীয়াত তত নাপাই, কিবা এবিধ দৰব খাই, ভীষণ যন্ত্ৰণাৰপৰা উদ্ধাৰ পাবলৈ, মৰিবলৈ বিচাৰে, আমি মনত কেনে পাম ?

বিলাতত বৰ্ত্তমানে বহুত চিকিৎসকে নানা আলোচনাৰ পিছত এইটো ঠিক কৰিছে যে যিবোৰ বেমাৰ কোনো প্ৰকাৰে ভাল কৰিব নোৱাৰি, জীৱন কষ্টত ভুগিবলৈ দিয়াতকৈ ৰোগীবিলাকে ইচ্ছা কৰিলে সহজ মৃত্যুৰ উপায় স্বৰূপে দৰৱৰ ব্যৱস্থা কৰা বাঞ্ছনীয়, আৰু এইবোৰ ক্ষেত্ৰত আত্মহত্যাকো দেশৰ আইনে সমৰ্থন কৰা উচিত। ইংলণ্ডৰ বিখ্যাত চিন্তাশীল পণ্ডিত ডিন ইঞ্জে যোৱা বছৰ কৈছিল যে বিচাৰত যিবিলাক মানুহৰ প্ৰাণদণ্ডৰ আজ্ঞা হয়, তেওঁলোকক আনৰ দ্বাৰা নামাৰি, কোনোপ্ৰকাৰে আত্মহত্যা কৰিবলৈ দিয়াটোহে ন্যায়সঙ্গত কাম।

বাইচাইকেলৰ ব্যৱহাৰ

ইটালীত, পদাতিক সৈন্যসকলক কেনেকৈ লাগ বুলিলে আন এঠাইলৈ নিব পৰা যায়, এই সম্বন্ধে নানা আলোচনা চলি আহিছিল। পিছে অলপতে সেই সমস্যাৰ সমাধান কৰা হৈছে। অলপতে ফেছিষ্ট পদাতিকসকলক একোখনকৈ চাইকেল দিয়া হৈছে। এইদৰে প্ৰায় ৪০০০০ সৈন্যই চাইকেল ব্যৱহাৰ কৰিবলৈ ধৰিছে। এই উপায়েৰে সৈন্যসকলক বস্তুবাহানিৰে সৈতে দিনে প্ৰায় ৫০ মাইলৰপৰা ১২৫ মাইললৈকে নিব পৰা যাব।

স্বাধীনতাৰ মূল্য

চীন দেশত যি ভীষণ বাণপানী হৈ গ'ল তাৰ ফলত প্ৰায় ৮০,০০০,০০০ জন মানুহৰ আলাই আথানি হৈছে। এইসকলৰ কষ্টৰ লাঘৱ কৰিবলৈকে সিদিনা চাংহাইৰ উকীল-সভাই নাংকিঙৰ গবৰ্ণমেণ্টলৈ এই মত প্ৰকাশ কৰিছে যে চীন দেশৰ ফাটেকত নৰহত্যা প্ৰৱঞ্চনাত বাজে আন দোষত অভিযুক্ত দোষী আছে, সেইবিলাকে, ফাটেকত এতিয়াও খাটিব লগা প্ৰত্যেকদিনৰ বাবে গাইপতি ২ ডলাৰকৈ দিব পাৰে, সেইবিলাকক খালাছ দিয়া হ'ক, আৰু এইদৰে পোৱা ধনেৰে বানপানীত জুৰুলা হোৱা মানুহবিলাকক সাহায্য কৰা হ'ক। এই সভাই হিচাপ কৰি দেখুৱাইছে যে এই উপায়েৰে ৮০,০০০,৯০০ ডলাৰৰ ব্যৱস্থা কৰা যাব পাৰে।

অণু-পৰিণামবাদ

—বিজ্ঞান

—শ্ৰীযুত চক্ৰপাণি দাস বি-এছ-ছি

বস্তুৰ শেষ সীমা

এই পৰিদৃশ্যমান জগতত আমি দিনে ৰাতিয়ে যিবিলাক বস্তু দেখি আছোহঁক, সেই বিলাকক অসংখ্য ভাগত ভাগ কৰিলে কি পোৱা যাব অৰ্থাৎ কি ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশবিলাকৰ পৰা বস্তুবোৰ গঠিত হৈছে, এই প্ৰশ্নটো বহুদিন আগৰ পৰাই পণ্ডিতসকলৰ মনত খেলাই আহিছে। আমি জানো যে এডোখৰ কাঠক দুভাগ কৰিলে প্ৰত্যেক ভাগতে কাঠকে পোৱা যাব, তাৰে এডোখৰক দুভাগ কৰিলে আকৌ প্ৰত্যেক ভাগতে সেই একে কাঠকে পোৱা যাব। এইদৰে ভাগ কৰি গৈ থাকিলে শেষত কাঠৰ গুড়ি আৰু তাৰে এটা গুড়িক ভাগ কৰিলে তাতকৈ সৰু গুড়ি পাওঁগৈ। এইদৰে গৈ থাকিলে শেষত গৈ কি পোৱা যাব তাক ডাঠি কোৱা টান হৈ পৰে, কিয়নো লাহে লাহে অংশবোৰ মণিব নোৱাৰা হৈ যায় আৰু ভাগ কৰিবৰ উপায়ো আমাৰ হাতত নাথাকে। গতিকে এটা বস্তুৰ শেষ সীমা ক'ত, সেই সম্বন্ধে আমাৰ ইন্দ্ৰিয়বিলাকে আমাক একো খবৰ দিব নোৱাৰে। যেতিয়া ইন্দ্ৰিয়বিলাকৰ শক্তিয়ে কোনো এটা কথাৰ মীমাংসা কৰিবলৈ অপাৰগ হয়, তেতিয়া মানুহে কল্পনাৰ আশ্ৰয় লয়, নাইবা এনে কোনো যন্ত্ৰ উদ্ভাৱন কৰে —যি এটা সম্পূৰ্ণ নতুন ইন্দ্ৰিয়ৰ দৰে কাম কৰিব পাৰে। কিন্তু স্বাধীনভাৱে বস্তুৰ শেষ সীমা নিৰূপণ কৰিব পাৰে— এনে কোনো যন্ত্ৰ এই পৰিমিত বাহিৰ হোৱা নাই—আগৰ দিনত তো এনে বিধৰ কোনো যন্ত্ৰয়েই নাছিল। গতিকে আগৰ দিনৰ পণ্ডিতসকলে জ্ঞান নদীৰ এই সুতিটো আবিষ্কাৰ কৰিবলৈ যাওঁতে কল্পনাকে সাৰথি কৰি লৈছিল। আজি কালিৰ বৈজ্ঞানিকসকলে কল্পনাৰ উপৰিও যন্ত্ৰৰ সহায় পাইছে।

দুবিধ অনুমান

আমি আগতে এডোখৰ কাঠ ভাগ কৰাৰ যি উদাহৰণ দি আহিলোঁ, তাৰ উত্তৰ দিব কলে বোধ হয় বেছি ভাগ মানুহেই কব যে অনন্ত ভাগত ভাগ কৰিলেও কাঠৰপৰা কাঠকে পোৱা যাব, আৰু আগৰ দিনত এদল মানুহে তেনেকৈয়ে কৈছিল। তেওঁলোকৰ মতে প্ৰত্যেক বস্তুৱেই একোটা একোটা আকৃতিহীন লেঠাৰি-নিছিগা পিণ্ড বিশেষ (Structureless homogenous mass)। আন এদলৰ মতে কিছুমান সূক্ষ্মাতিসূক্ষ্ম মূলবস্তু সিহঁতৰ মাজত শূন্যৰ ব্যৱধান ৰাখি ওচৰাওচৰিকৈ থকা বাবে এটা বস্তুৰ অনুভূতি হয়। এই অনুমান মতে আমাৰ কিছুমান কণিকাৰ (particles) ধাৰণা জন্মে আৰু কোনো বস্তুক ভাগ কৰা মানে তাৰ মূল কণিকাবোৰ আৰু তাৰ মাজত থকা ফাঁকবোৰক ভাগ কৰা হয়, গতিকে ভাগ কৰোঁতে কৰোঁতে যেতিয়া এটা কণিকা পামহঁক, তেতিয়া সেই কণিকাটো কেনেকুৱা বস্তু হব তাক বস্তুটো চাই অনুমান কৰা টান হৈ পৰিব, কিয়নো তেতিয়া হলে আৰু ফাঁক নাইকিয়া হব, নাইবা সেই কণিকাটো ভাগ কৰিব পাৰি নে নোৱাৰি আৰু যদি পাৰি, তাৰ অংশবিলাক কণিকাটোৰ নিচিনাই হব নে কেনেকুৱা হব তাকো একো ঠিৰাং কৈ কব নোৱাৰি।

এতিয়া অনুমান দুটাৰ দোষ-গুণ বিচাৰ কৰি চোৱা যাওক। বস্তু-বিজ্ঞানত বস্তুৰ এটা ডাঙৰ গুণ (property) স্বীকাৰ কৰি লোৱা হৈছে—আৰু সেইটো হৈছে ব্যাপকতা (Extension) অৰ্থাৎ একে সময়তে এডোখৰ ঠাইত কেৱল এটা বস্তুহে থাকিব পাৰে ; অইন কোনো বস্তুৱে সেই সময়ত তাৰ চতুঃসীমাৰ ভিতৰলৈ যাব নোৱাৰে। ধৰি লওক—টেবিলৰ ওপৰত এখন কিতাপ আছে। কিতাপ-

খনে এই অবস্থাত টেবিলব অপবত এডোথব ঠাই (space) আগুবি আছে আক সেই ঠাইডোথবব ভিতবত অইন কোনো বস্তবেই যে থাকিব নোৱাবে সেইটো এটা স্বতঃসিদ্ধ —অৰ্থাৎ কিতাপখন মাজত ফাঁক নথকা বস্তু এটা বুলি অনুমান কবা হৈছে। প্রথম অনুমানটোৰ এটা ডাঙৰ দোষ হৈছে এই যে যদি আমি Compressibility অর্থাৎ নিজৰ অবয়ব সংকোচ আক প্রসাব নাইবা সৰু ডাঙৰ কবিব পবা ক্ষমতা সকলো বস্তবে এটা স্বাভাবিক ধৰ্ম্ম বুলি ধবি লওঁ, তেনেহলে সকলো বকম গতি অসম্ভব হৈ পবে। কথাটো অলপ ফহিয়াই চোৱা যাওক। আমি জানো যে আমাব চাবিও পিনে এনে এডোথব ঠাই নাই, ন'ত একো নাই বুলি কব পাবি। যি ঠাইত ওপকবাকৈ চালে একো নোহোৱা যেন লাগে তাতো বতাহ থকা বুলি প্রমাণ হৈছে। সেয়ে হলে যেতিয়া মই মোৰ হাতখন ওপবলৈ দাঙ্গিব খোজোঁ, তেতিয়া বতাহে বাট দিয়ে কেনেকৈ, নাইবা এডোথব লৈ পানীত এবি দিলে লো ডোথব তললৈ যায় কেনেকৈ, অথবা এডোথব কাঠতেই বা গজাল মবাটো কেনেকৈ সম্ভব হয়, কিয়নো আমি আগেয়ে কৈ অহা ব্যাপকতা নামব গুণটোব বলত প্রত্যেক বস্তবে তাব থকা ঠাইৰ চতুঃসীমাব ভিতবলৈ যাতে কোনেবে সোমাব নোৱাবে, তাব বাবে প্রত্যেক বিষয়ব বুলি নিষেধাজ্ঞা জাবী কবি দিব ই আছে। আক এইমাত্ৰ দেখা গ'ল যে এই নিষেধাজ্ঞা জাবী নোহোৱা ঠাই অর্থাৎ একো বস্তু নথকা ঠাই এডবাও নাই। আন পক্ষে দ্বিতীয় অনুমান মতে বস্তব মাজত অসংখ্য ফাঁক বা খুজ ঠাই আছে আক সেইবাবেই এটা বস্তব অইন এটা বস্তব ভিতবলৈ সোমোৱা সম্ভব হয়, কিয়নো তেতিয়া হলে প্রথম বস্তুটোবে দ্বিতীয় বস্তুটোব কণিকাব মাজব ব্যবধানবোব দমন কবি নিজব নিশ্চিন্তে থকা ঠাই এডোথব উলিয়াই লব পাবে বুলি আমি সংজেই অনুমান কাবব পাবোঁ। যি মতেবে প্রাকৃতিক ঘটনাবিলাক সহজে বুজিব পাবি, মানুহে সেই মতকে গ্রহণ কবে, আক যি মতেবে সেইবোব সাধাবণ বুদ্ধিবে বুজি পোৱাত টান হৈ পব, তাক মানুহে আদব কব নোৱাবে। এইবাবেই বোধ হয় আমি কৈ অহা প্রথম মতটোব বিষয়ে বহুতদিন আগব পবাই মানুহে ভাবি চৈ এবি দিছে। বস্তব মূলতে যে কিছুমান অবিভাজ্য কণিকা (atoms) আছে সেই বিষয়ে প্রায় ২৪০০ বছব আগেয়ে গ্রীকদেশব দার্শনিক পণ্ডিতসকলে অনুমান কবি থোৱাটো প্রমাণ পোৱা যায়। ভাবতব কণাদ প্রভৃতি দার্শনিকসকলেও অতি পুবণিকালতেই অণুপবমাণুবোই এই ব্রহ্মাণ্ডখন গঠিত বুলি অনুমান কবি গৈছে (Atomistic pluralism of Vaisesik)।

ডাল্টনব কণিকাবাদ

ঊনবিংশ শতিকাব ডাল্টন (Dalton) নামব বৈজ্ঞানিক জনব পিছব পবাহে বস্তব এই কণিকাবাদটো বৈজ্ঞানিক ভিত্তি থিয় হোৱা বুলি কব পাবি আক তাব পিছব পবাহে এই মতটোবে মানুহব মন আকর্ষণ কবিব পবা হ'ল। ডাল্টনে আবিষ্কাব কবিলে যে যেতিয়া দুটা মূলবস্তু (Elementary substances) মাজত বাসায়নিক ক্রিয়া হৈ এটা যৌগিক পদার্থব (Compound substance) উদ্ভব হয়, তেতিয়া মূলবস্তু দুটাব যি অংশ দুটাব মাজত বাসায়নিক ক্রিয়া হয়, সিহঁতব মাজত এটা নির্দ্দিষ্ট অনুপত লক্ষ্য কবিব পাবি। উদাহবণ স্বৰূপে কব পাবি যে জলজান (Hydrogen) আক অম্লজান (Oxygen) নামব দুটা বাষ্পব বাসায়নিক সংযোগ হৈ পানীব উৎপত্তি হোৱা বুলি প্রায় সকলোবে জান। পানী যেতিয়া বিশ্লেষণ (analyse) কবি চোৱা যাব তেতিয়া (যদিবে পবাই সেই পানী নানো কিয়) আমি সদায় ১৬ ভাগ অক্সিজেন আক দুভাগ হাইড্রোজেন পাওঁ। অর্থাৎ বাসায়নিক সংযোগ হৈ এটা যৌগিক পদার্থ তৈয়াব হোৱা কথাটো গাণীবত পানী মিহলোৱাব দবে নহয়— দুটা বস্তব দুটা নির্দ্দিষ্ট আনুপাতিক অংশ লগ লাগিহে একোটা যৌগিক পদার্থ তৈয়াব হয়। এই কথাটোকে 'Law of definite proportion' অর্থাৎ নির্দ্দিষ্ট অনুপাতব নিয়ম বোলা হয়। এই নিয়মটোকে ব্যাখ্যা কবিবলৈ ডাল্টনে তলত লিখা মতে তেওঁব 'অবিভাজ্য কণাবাদ' (atomic theory) জগতব আগত দাঙ্গি ধবে।

(১) জগতব যাবতীয় বস্তুবেই কিছুমান সূক্ষ্ম কণিকাব দ্বাবা গঠিত হৈছে। সেই সূক্ষ্ম কণিকাবোব অবিভাজ্য আক সেই বাবে ডাল্টনে সেইবোবক অবিভাজ্য কণিকা (atom : a=not ; temno = cut) বুলিছিল।

(২) একবকম বস্তব কণিকাবোব পবস্পব একে আক অইন বস্তব কণিকাসোবতকৈ ভিন।

(৩) দুটা মূলবস্তু (Elementary substance) বাসায়নিক সংযোগ (chemical union) হোৱা মানে সিহঁতব মূল কণিকাবোবব এটা বিশেষ পদ্ধতিত ওবা ওবিকৈ মিলন হোৱা—ইত্যাদি

প্রথম ফাতে কৈ অহা মতে যদিও ডাল্টনে বস্তব যি মূল অংশবোবক অবিভাজ্য বুলিছিল, আজিকালি সেইবোবকো ভাগ কবিব পবা বুলি প্রমাণ হৈছে, আক সেইবোবক বুজাবলৈ ডাল্টনে দিয়া 'এটম' (atom) নামটো ঠাই দি মলিকিউল (molecule) (কণাদ প্রভৃতি ভাবতীয় মনীষীসকলে ইাক অণু বুলিছিল) নাম দিয়া হৈছে। আক যিবোব অবিভাজ্য বস্তুকণাব দ্বাবা (ভাবতীয় সকলব মতে পবমাণু) অণুবিলাক গঠিত হৈছে বুলি আজিকালিব পণ্ডিতসকলব বিশ্বাস, সেই অবিভাজ্য বস্তুকণাবিলাকক বুজাবব বাবহে (atom) "পবমাণু" শব্দটো আজিকালি ব্যবহাব কবা হয়। তথাপি মূল কথাত ডাল্টনব মতেই আজিলৈকে জগতব ভাবব ধাবা চলি আহিছে। ডাল্টনব তথাকথিত অবিভাজ্য কণিকাক (atom) যিহেতু আজিকালি অণু (molecule) বোলা হয় সেইবাবে সংশোধিত ডাল্টনব "অবিভাজ্য কণিকাবাদক" (atomic theory) আমি আজিকালি 'molecular theory' অর্থাৎ অণুপবিণামবাদ বুলি পাবোঁ।

যি হ'ক এতিয়া, বিজ্ঞানচর্চ্চাব ফলত আজি মানুহব বস্তু সম্বন্ধে কেনেকুবা ধাবণা হৈছে তাক ফহিয়াই চোৱা যাওক। আজিকালিব মতে সকলো বস্তুবে চকুবে মনিব নোৱাবা ক্ষুদ্রাতিক্ষুদ্র কণিকা কিছুমানেবে গঠিত হৈছে। সেই মূল কণিকাবিলাকক অণু (molecule) বোলা হয়। একবকমব বস্তব অণুবিলাক পবস্পব একে আক অইন একবকমব বস্তব অণু বলাতকৈ ভিন। অণুবিলাক নিজে অবিভাজ্য নহয় কিন্তু সিহঁতকৈ সৰু অবিভাজ্য বস্তুকণা কিছুমানেবে গঠিত হৈছে—সেইবিলাকক পবমাণু বোলা হয়। দুটা বা ততোধিক মূলবস্তব বাসায়নিক সংযোগ হোৱা মানে সিহঁতব পবমাণুবিলাকব এটা বিশেষ পদ্ধতিত মিলন হোৱা আক ডাল্টনে ভবাব নিচিনা বৃহত্তব অণুবিলাকব (molecules) মিলন হোৱা নহয়। প্রত্যেক পবমাণুবে আকৌ Proton আক Electron নামে দুই বকমব বিদ্যুৎকণা কিছুমানেবে গঠিত হোৱা বুলি জনা গৈছে।

আমি এই প্রবন্ধত অণু লৈয়েই আলোচনা কবিম, গতিকে অণুব ভিতবত কি আছে কি নাই সেই বিষয়ক আলোচনা নিষ্প্রয়োজন। বসায়ণ শাস্ত্রত অণুব কি সংজ্ঞা দিছে তাকো একো নকওঁ, কিয়নো আগতে আমি অণুসম্বন্ধে যিখিনি ধাবণা কবি লৈছোঁ সেয়ে আমাব প্রবন্ধব আলোচ্য বিষয়ব বাবে যথেষ্ট হব। তাকে ভিত্তি কবি লৈ বস্তুবিলাকব তিনি অবস্থাত (গোটা, জুলীয়া আক বায়বীয়) সিহঁতব অণুবোব কেনেকৈ থাকে আক কেনেকৈ এটা বস্তু এক অবস্থাপবা অইন এক অবস্থা প্রাপ্ত হয়, নাইবা যেতিয়া পানীত চেনি গলি যোৱাদি এটা বস্তু অইন এটা বস্তত লীন হয়, তেতিয়া গলি যোৱা বস্তুটোব অণুবিলাক অইন বস্তুটোব অণুবিলাকব মাজত কেনেকৈ থাকে ইত্যাদি কিছুমান কথা আক Charles Law (চাৰ্লছ চাহাবব আবিষ্কৃত নিয়ম), Boyle's Law (বয়লৃছ নিয়ম) Avogadro's Hypothesis (এভোগাড্রোব অনুমান) প্রভৃতি বিজ্ঞানব কিছুমান অপবিহার্য্য মূলনীতি, বস্তব আণবিকবাদ (molecular theory) মতে ব্যাখ্যা কবিবলৈ এই প্রবন্ধত চেষ্টা কবা হব।

মধ্যাকর্ষণ নিয়ম

আমাব প্রবন্ধব বেছি দূবলৈ নোযাওঁতেই বস্তুবিজ্ঞানব তথা অর্থশাস্ত্রব দুটামান মূলকথা এইখিনিতে উদ্ধৃতিয়াই থলে পাছত আমাব কামব অনেক সুবিধা হব। সকলোবে জানে যে ছাব আইজাক নিউটনে (Sir Issac Newton) আটাএটা গছবপবা সবি মাটিত পবা দেখি আটাটোনো ওপবলৈ নাযাই নাইবা একে ঠাইতে নাথাকি

কেলেই মাটিত পৰিল, তাৰে কাৰণ ভাবোঁতে ভাবোঁতে ইয়াকে আবিষ্কাৰ কৰিলে যে জগতৰ প্ৰত্যেক বস্তুৱে অইন সকলো বস্তুকে তাৰ কেন্দ্ৰৰ পিনে টানি থাকে; এটা বস্তুৱে অইন এটা বস্তুক যি বলেৰে টানে সেই বল তাৰ পদাৰ্থ পৰিমাণ (mass) আৰু সিহঁতৰ দুয়োৰে মাজৰ দূৰত্বৰ ওপৰত নিৰ্ভৰ কৰে। এই বিষয়ে অঙ্কপাত নকৰাকৈ মুঠতে ইয়াকে কওঁ যে দুটা বস্তু যিমানে ওচৰা ওচৰি হয় সিমানে সিহঁতৰ মাজৰ টনাটনি শক্তি বেছি হয় আৰু ওচৰা ওচৰিকৈ থকা দুটা বস্তুক আঁতৰ কৰিবলৈ হলে শক্তি (energy) খৰচ কৰিব লগীয়া হয়। বস্তু দুটা যিমানেই আঁতৰ হয় সিমানেই সিহঁতৰ পৰস্পৰৰ মাজৰ আকৰ্ষণৰ জোৰ (force of attraction) কমি যায় আৰু বস্তু দুটা বেছি আঁতৰ হলে সিহঁতৰ মাজৰ আকৰ্ষণী শক্তি আৰু নথকা বুলি ধৰি লব পাৰি। নিউটনৰ আবিষ্কৃত এই নিয়মটোকে Law of Universal Gravitation (জগতৰ মধ্যাকৰ্ষণৰ নিয়ম) বোলা হয়।* এই নিয়মৰ অধীন হৈ পৃথিবীয়ে এটা বস্তুক যি বলেৰে নিজৰ গালৈ টানে সেই জোৰটোক বস্তুটোৰ ভৰ বোলা হয়।

লঘিষ্ঠতম অন্তৰ্নিহিত শক্তিৰ নিয়ম

বস্তুবিজ্ঞানৰ মতে সেইটোকে এটা বস্তুৰ অচল সাম্যাৱস্থা অৰ্থাৎ Stable Equilibrium Condition বুলিব পাৰি যি অৱস্থাত তাৰ potential energy (অন্তৰ্নিহিত শক্তি) আটাইতকৈ কম থাকে; আৰু যি অৱস্থাত তাতকৈ বেছি অন্তৰ্নিহিত শক্তি থাকে সেই অৱস্থাটো বস্তুটোৰ Unstable Equilibrium Condition অৰ্থাৎ চঞ্চল সাম্যাৱস্থা। অচল সাম্যাৱস্থাক বস্তুটোৰ স্বাভাৱিক অৱস্থা আৰু চঞ্চল সাম্যাৱস্থাক অস্বাভাৱিক অৱস্থা বুলিব পাৰি। যদি এটা বস্তু এসময়ত দুটা অৱস্থাত থাকিব পাৰে তাৰ ভিতৰত যিটো অৱস্থাত বস্তুটোৰ অন্তৰ্নিহিত শক্তি কম থাকে সেই অৱস্থাটোত বস্তুটো থাকিলে বস্তুটো তেনেকৈয়ে থাকিবলৈ চেষ্টা কৰিব আৰু যদি বস্তুটো অইন অৱস্থাত থাকে (যি অৱস্থাত তাৰ অন্তৰ্নিহিত শক্তি বেছি) তেনেহলে বস্তুটোৰ প্ৰথমাৱস্থালৈ অৰ্থাৎ অন্তৰ্নিহিত শক্তি কম থকা অৱস্থালৈ আহিবলৈ এটা ধাউতি অথবা প্ৰৱণতা (tendency) থাকে আৰু যদি বস্তুটোক অলপমান সহায় কৰা যায় তেনেহলে সি তৎক্ষণাৎ প্ৰথমাৱস্থালৈ আহিব আৰু সেইবাবেই এই অৱস্থাটোক বস্তুটোৰ অস্বাভাৱিক অৱস্থা বোলা হৈছে। এই কথাটোকে ইংৰাজীত 'Principle of Minimum Potential Energy' বা 'লঘিষ্ঠতম অন্তৰ্নিহিত শক্তিৰ নিয়ম' বোলা হয়।* প্ৰথমাৱস্থাতকৈ দ্বিতীয়াৱস্থাত Potential enengy কম থকা বাবে দ্বিতীয়াৱস্থাৰপৰা প্ৰথমাৱস্থালৈ যাওঁতে বস্তুটোৰ গাৰপৰা কিছুমান শক্তি ওলাই যায়। এতেকে দেখা গ'ল যে বস্তুবিলাকে সদায় নিজৰ ভিতৰত থকা শক্তি উলিয়াই দিবলৈ সাজু হৈ থাকে, যেন সিহঁতে নিজৰ নিজৰ শক্তিৰ গধুৰ বোজাৰ ভাৰত বিৰক্ত হৈ থাকে আৰু সেই দেখি যেতিয়াই অলপ সুবিধা পায় তেতিয়াই সেই বোজাটো অলপ পাতলাই সকাহ পোৱা যেন পায়। এই পৰ্য্যন্ত কথাটো অবোধ্য হৈয়ে আছে; এতিয়া উদাহৰণলৈ অহা যাওক।

আমি আগেয়ে কৈ আহিছোঁ যে মধ্যাকৰ্ষণৰ নিয়মমতে প্ৰত্যেক বস্তুৱে অইন বস্তুবিলাকক নিজৰ গালৈ টানি আছে আৰু সেই নিয়মৰে অধীন হৈ পৃথিবীয়ে সকলো বস্তুকে তাৰ কেন্দ্ৰৰ পিনে টানে। পৃথিবীৰ আকৰ্ষণী-শক্তিটো প্ৰত্যেক বস্তুৱে এটা নিৰ্দ্দিষ্ট বিন্দুত নিয়োজিত হয় যেন বস্তুটোৰ এটা নিৰ্দ্দিষ্ট বিন্দুত এডাল জৰী লগোৱাহে থাকে আৰু পৃথিবীয়ে, বস্তুটো যি অৱস্থাতে নাথাকক,

* Every portion of matter attracts or tends to approach every other matter in the universe with a force, proportional to the mass and inversely as the square of the distance.

—Newton

* Principle of minimum potential energy টোক এইদৰে বৰ্ণোৱা হৈছে—"A system always tends to that configuration in which its potential energy is minimum."

সেই জৰীডালত ধৰি টানে। এই বিন্দুটোক বস্তুটোৰ মধ্যাকৰ্ষণৰ কেন্দ্ৰবিন্দু (centre of gravity) বোলা হয়। বস্তুটোৰ মধ্যাকৰ্ষণৰ কেন্দ্ৰবিন্দুটো যিমানেই ওচৰত থাকে, সিমানেই বস্তুটোৰ অন্তৰ্নিহিত শক্তি বেছি থাকে, গতিকে আমি কৈ অহা Principle of minimum potential energy মতে বস্তুটোৱে সদায় এনে এটা অৱস্থালৈ আহিব খুজিব যি অৱস্থাত তাৰ মধ্যাকৰ্ষণৰ কেন্দ্ৰটো পৃথিবীৰ কেন্দ্ৰৰ আটাইতকৈ ওচৰ হব। তলত দিয়া ছবিত ফানেল আকৃতিৰ (funnel shaped) লো এডোখৰক তিনটা অৱস্থাত দেখুৱা হৈছে।

ইয়াত ক অক্ষৰটোৱে বস্তুটোৰ মধ্যাকৰ্ষণৰ কেন্দ্ৰবিন্দু



বুজোৱা হৈছে। ১নং চিত্ৰত ক আটাইতকৈ ওপৰত অৰ্থাৎ পৃথিবীৰপৰা আটাইতকৈ বেছি আঁতৰত আছে। দ্বিতীয়াৱস্থাত ক অলপ তলত আৰু তৃতীয়াৱস্থাত আটাইতকৈ তলত আছে, গতিকে প্ৰথমাৱস্থাত অন্তৰ্নিহিত শক্তি আটাইতকৈ বেছি, দ্বিতীয়াৱস্থাত তাতকৈ কম আৰু তৃতীয়াৱস্থাত আটাইতকৈ কম আছে। গতিকে প্ৰথমাৱস্থাটো দ্বিতীয়াৱস্থাতকৈ অস্বাভাৱিক আৰু যদি বস্তুটো প্ৰথমাৱস্থাত থকা সময়ত অলপ ইফালে নাইবা সিফালে ঠেলা মাৰি দিয়া হয়, তেনেহলে বস্তুটোৱে তৎক্ষণাৎ বাগৰি গৈ দ্বিতীয় অৱস্থা পাবগৈ। তৃতীয় অৱস্থাত বস্তুটোৰ অন্তৰ্নিহিত শক্তি আটাইতকৈ তলত আছে; যদি এই অৱস্থাত বস্তুটোক অলপ ইকাতি সিকাতি কৰিও দিওঁ, তেনেহলেও বস্তুটোৱে দ্বিতীয় অৱস্থালৈ যাব নুখুজিব কিন্তু যথেষ্ট পৰিমাণ শক্তি প্ৰয়োগ কৰিলেহে দ্বিতীয়াৱস্থালৈ যাবলৈ বাধ্য হব, নাইবা দ্বিতীয়াৱস্থাত থাকোঁতেও এটা মূৰত ধৰি দাঙ্গি দিলে প্ৰথমাৱস্থালৈ যাবলৈ বাধ্য হব। চঞ্চল সাম্যাৱস্থাৰপৰা অচল সাম্যাৱস্থালৈ যোৱাটো বস্তুৰ এটা স্বাভাৱিক ধৰ্ম্ম। কিন্তু আৰম্ভনিতে অকণমান শক্তিৰ (Initial force) দৰ্কাৰ হয় অৰ্থাৎ এটা start নহলে কোনো বস্তুৱে গতি নলয়। অইনপক্ষে কোনো বস্তুক অচল সাম্যাৱস্থাৰপৰা চঞ্চল সাম্যাৱস্থালৈ নিবলৈ হলে জোৰ জবৰদস্তিৰ কাম হৈ পৰে—অনেক কাৰুজাৰু, অনেক খোছামোদ কৰিব লগীয়া হয়। অইন এটা উদাহৰণ হৈছে —হিলৈ বা বোমা; বোমাটোৰ ভিতৰত থকা বাৰুদখিনিয়ে নিজৰ শক্তি গোপন কৰি ৰাখিব নোৱাৰি উচ্‌পিচ্‌কৈ আছে; অলপ জোৰেৰে খুন্দা এটা মাৰিলেই সি তাৰ নিজৰ শক্তি চাৰিওপিনে বিকীৰ্ণ কৰি তভক মাৰে। আমি আগেয়ে কৈ আহিছোঁ যে নিউটনে, আটা এটা কিয় আহি মাটিত পৰে তাৰ কাৰণ ঠিক কৰিলে যে পৃথিবীয়ে আটাটোক তাৰ গালৈ টানে বুলি আটাটো আহি মাটিত পৰে, সেই কথাটোকে অলপ ঘূৰাই কব পাৰি যে ওপৰত থাকোঁতে আটাটোৰ অন্তৰ্নিহি শক্তি বেছি আছিল সেইবাবেই ধৰণী নোহোৱা হলত আটাটো মাটিৰ ওপৰত আহি পৰিল, কাৰণ এই অৱস্থাত তাৰ আগতকৈ অন্তৰ্নিহিত শক্তি কম হ'ল।

বস্তুবিলাকৰ ভিন ভিন অৱস্থাৰ সাধাৰণ অৱস্থাৰ সাধাৰণ বিষৰণ

এতিয়া আমাৰ মূল বিষয়লৈ আঁহা যাওঁক। আমি আমাৰ চাৰিওপিনে যিবিলাক বস্তু দিনে ৰাতিয়ে দেখি আছোঁহক তাক বাহ্যিক অৱস্থালৈ চাই তিনি ভাগত ভগাব পাৰোঁ ;—গোটা বস্তু, জুলীয়া বস্তু, গেচ বা বাষ্প। প্ৰত্যেক বস্তুৰে তাপ আৰু চাপ অৰ্থাৎ চাঁৱও পিনবপৰা যি হেঁচা পাই থাকে, তাৰ তাৰতম্য অনুসাৰে এই তিনি অৱস্থাৰ যেই সেই এটাতে থাকিব পাৰে।• যিবিলাক বস্তু সাধাৰণতে গোটা অৱস্থাত থাকে, সিবিলাকক গোটাবস্তু, যিবিলাক সাধাৰণতে জুলীয়া অৱস্থাত থাকে সিবিলাকক জুলীয়া বস্তু আৰু যিবিলাক বাষ্পাৱস্থাত থাকে সিবিলাকক গেচ বা বাষ্প বোলা হয়। কিন্তু চেষ্টা কৰিলে কোনো এটা বস্তুক তিনিটা অৱস্থাৰ যেই সেই এটাতে থব পাৰি; এনেকি বহুতে শুনি আচৰিত মানিব যে চেঁচা কৰি আৰু চাপ বঢ়াই বতাহৰ নিচিনা বস্তুকো জুলীয়া আৰু গোটা অৱস্থালৈও নিব পৰা গৈছে—গতিকে আমি আজিকালি জুলীয়া বতাহ আৰু গোটা বতাহৰ কথা কব পৰা হৈছোঁ। এটা বস্তুৰ আকৌ কেবাৰকমো গোটা অৱস্থা সম্ভৱ হব পাৰে ;—এঙাৰ (Carbon), গন্ধক (Sulphar) প্ৰভৃতি বস্তুৰে কেবা ৰকমো গোটা অৱস্থা গ্ৰহণ কৰে। কলে নপতিয়াব যে মহামূল্য হীৰা আৰু মলিন এঙাৰ একে কাৰ্ব্বন্ (Carbon) নামৰ মূল বস্তুৰে ৰূপান্তৰ মাত্ৰ। সেই দৰে ৰবফো কেবা ৰকমে দানা (Crysxataline) অৱস্থাত থাকিব পাৰে। আকৌ কিছুমান বস্তু এটাতকৈ বেছি জুলীয়া অৱস্থাত থাকিব পাৰে,—গন্ধক (Sulphar) তাৰ এটা উদাহৰণ। এই এটা বস্তুৰে কেবাটাও গোটা নাইবা জুলীয়া অৱস্থাৰ মূলতে হৈছে বস্তুটোৰ অন্তৰ্নিহিত শক্তি (Potential energy)। এক সময়ত বস্তু এটাৰ এটাতকৈ বেছি গোটা নাইবা জুলীয়া অৱস্থা সম্ভৱপৰ হব পাৰে ; কিন্তু সাধাৰণতে বস্তুটো সেইবিলাকৰ এটা অৱস্থাত থাকে আৰু কোনো উপায়ে সেই অৱস্থাবপৰা বস্তুটোক অইন কোনো এটা অৱস্থাত থলেও তাৰ স্বাভাৱিক অৱস্থালৈ আহে, কিয়নো তাৰ এই অৱস্থাত অন্তৰ্নিহিত শক্তি আটাইতকৈ কম। গন্ধক সাধাৰণতে এককৰম দানা অৱস্থাত থাকে (Rhombic variety) কিন্তু বৃদ্ধিৰ বলেৰে গন্ধকক অইন কেবা অৱস্থাত থব পাৰিলেও লাহে লাহে Rhombic আকৃতিৰ দানাত পৰিণত হবগৈ। গোটা বস্তু বিলাকক থাইকে দুই ভাগত ভগাব পাৰি (আৰু এই ভাগ দুটাৰ বিশেষ উপযোগিতা আছে বুলি আমাৰ বিশ্বাস)—প্ৰথমতে দানাযুক্ত (Crysxtaline) আৰু দ্বিতীয়তে দানাহীন (amorphous) লোন চেনি প্ৰভৃতি বস্তুৰ প্ৰত্যেকেই এক প্ৰকাৰ দানা আকাৰে থাকে। মাটি, কাঁচ, এঙাৰ প্ৰভৃতি বস্তু দানাহীন অৱস্থাত থাকে। দানাযুক্ত বস্তুবিলাকৰ কণিকাবোৰৰ এটা পৰিপাটি গাঁথনি আছে ;—দানাহীন বস্তুবিলাকত এই গাঁথনিৰ অভাৱ।

গোটাবস্তু

এটা বস্তুৰ কোনো এটা অৱস্থাত তাৰ অণুবিলাক কি ভাবে থাকে সেইটো বিচাৰ কৰিবলৈ হলে প্ৰথমে চাব লাগিব বস্তুটোৰ সেই অৱস্থাত কি কি বিশেষ গুণ থাকে। প্ৰথমে গোটা বস্তুৰ কথা ধৰা যাওঁক। গোট বস্তুবিলাকৰ দুটা বিশেষ গুণ লক্ষ্য কৰিব পাৰি—প্ৰথমে সিহঁতৰ প্ৰত্যেকৰে একোটা সুকীয়া আকৃতি আছে, যি আকৃতিটো অলপমান লবচব কৰিব লাগিলেই নাইবা বস্তুটোক দুই বা ততোধিক ভাগত ভগাব খুজিলে বহুত শক্তি খৰচ কৰিব লগীয়া হয়। সক লো এডোখৰ ভাঙ্গ লগাব লাগিলেই কিমান বল লাগে তাক সহজে অনুমান কৰিব পাৰি—ভাঙ্গি দুডোখৰ কৰাবতো কথাকেই নকওঁ। গোটা বস্তুৰ এই গুণটো (Property) ব্যাখ্যা কৰিবলৈ অনুমান কৰা হৈছে যে গোটা অৱস্থাত বস্তুবিলাকৰ অণুবোৰ খুব ওচৰাওচৰিকৈ থাকে, সেই বাবে আমি আগতে কৈ অহা মধ্যাকৰ্ষণৰ বিধি মতে সিহঁতৰ পৰস্পৰ ভিতৰৰ আকৰ্ষণৰ জোৰ (force of attraction) বৰ বেছি আৰু সেইবাবে অণুবিলাকৰ আকৰ্ষণীশক্তিৰ বিৰুদ্ধে বস্তুটোক দুই ভাগত বিভক্ত কৰিব

• তাপ আৰু চাপক এটা বস্তুৰ 'condition' বোলা হয়, কিয়নো এই দুটাই এটা বস্তু কি অৱস্থাত থাকিব, সেইটো নিৰ্ণয় কৰে।

গ'লে আকৰ্ষণীশক্তিক পৰাস্ত কৰিব পৰাকৈ বল প্ৰয়োগ কৰিব লাগে। দ্বিতীয়তে গোটা বস্তুবিলাকৰ আয়তন সহজে কম নাইবা বেছি কৰিব নোৱাৰি। কিন্তু এটা বস্তুৰ আয়তন কম নাইবা বেছি কেতিয়া হয়? যেতিয়া অণুবিলাকৰ পৰস্পৰৰ মাজৰ ব্যবধান বেছি হয়, তেতিয়া বস্তুটোৰ আয়তন বাঢ়ে আৰু যেতিয়া ব্যবধান কম হয় তেতিয়া বস্তুটোৰ আয়তন কমে। গতিকে আয়তন বেছি কৰিব লাগিলে অণুবিলাকৰ আকৰ্ষণী শক্তিয়ে বাধা দিব, সেইবাবে আয়তন বঢ়োৱা টান হৈ পৰে। কিন্তু আয়তন কমাবৰ সময়ত কি কি শক্তিয়ে বাধা দিয়ে?—আয়তন কমোৱাত আকৰ্ষণীশক্তিয়ে নিশ্চয় বাধা নিদিয়ে বৰং আকৰ্ষণীশক্তিয়ে এই কামত সহায়হে কৰিব। এটা কথা হব পাৰে যে অণুবিলাকৰ মাজত ফাঁকেই নাথাকে, সেইবাবে আয়তন কমোৱা অসম্ভৱ হৈ পৰে; কিন্তু বেছিকৈ চেপা দিলে গোটা বস্তুবো আয়তন অল্পবিস্তৰ কমোৱা যায় আৰু কাঠ প্ৰভৃতি গোটাবস্তুবিলাকে সিহঁতৰ ভিতৰত গজাল মাৰিবা অইন টান বস্তু সোমাবলৈ ঠাই দিব পাৰে; গতিকে ইয়াৰ অইন কিবা কাৰণ থাকিব লাগিব। ইয়াকে আৰু এই নিচিনা কথা ব্যাখ্যা কৰিবলৈ অনুমান কৰা হৈছে যে বস্তুৰ অণুবিলাক সকলো সময়তে গতিশীল অৱস্থাত (in a state of motion) থাকে আৰু অণুবিলাকৰ গতিশক্তিৰ বাবেই গোটাবস্তুৰ অণুবিলাকে সিহঁতৰ মাজত অল্পবিস্তৰ শূন্যৰ ব্যবধান ৰাখি থাকিব পাৰে আৰু সেই ব্যবধান কমাব খুজিলেই গতিশক্তিয়ে বাধা দিয়ে। অইনকৈ তেনেকৈ ব্যবধান বঢ়াব খুজিলে আকৰ্ষণ-শক্তিয়ে বাধা দিয়ে। এইদৰে দুটা বিৰুদ্ধ শক্তিৰ প্ৰভাৱত পৰা বাবে বস্তুটোৰ আয়তন, বাহ্যিক অৱস্থাৰ লবচব নহলে একে ৰকমে থাকে। আৰু যিহেতু তাপ বঢ়াব লগে লগে বস্তুৰ আয়তন বাঢ়ে সেইবাবে তাপ বঢ়াব লগে লগে অণুবিলাকৰ গতিশক্তিও বঢ়া বুলি অনুমান কৰা হৈছে। গোটাবস্তুৰ অণুবিলাকৰ প্ৰত্যেককে একোটা নিৰ্দ্দিষ্ট ক্ষিদ্ৰুক কেন্দ্ৰ কৰি ইফালে সিফালে লবচব কৰি থকা বুলি (to oscillate about a mean position) কল্পনা কৰা হৈছে,—প্ৰত্যেকেই নিজৰ চাৰিওপিনে থকা অণুবিলাকৰ আকৰ্ষণীশক্তিৰ প্ৰভাৱত পৰি একো ডোখৰ নিৰ্দ্দিষ্ট ঠাইৰ ভিতৰত আবদ্ধ হৈ থাকে। আজিকালি ৰঞ্জনৰশ্মি বা এক্স্ ৰে (Rontgen Ray or X ray) • ওলোৱাৰ পৰা বস্তু সম্বন্ধে, বিশেষকৈ দানাযুক্ত বস্তু সম্বন্ধে বহুত তথ্য ৰাহিৰ হৈছে। দানাযুক্ত বস্তুবিলাক ৰঞ্জনৰশ্মিৰে পৰীক্ষা কৰি তাৰ ভিতৰৰ বস্তুকণাবোৰ লাইন লাইনকৈ সজা (arranged in rows) থকা বুলি প্ৰমাণ পোৱা গৈছে—তাৰ উপৰিও জনা গৈছে যে সেই বস্তুকণিকাবোৰ অণু নহয় পৰমাণুহে। সাধাৰণ লোনৰ দানা (Sodium chloride crystal) এটা ৰঞ্জন ৰশ্মিয়ে পৰীক্ষা কৰি চালে তাৰ ভিতৰত এলাইন ছোডিয়াম (Sodium) অণু আৰু এলাইন ক্লোৰিণৰ (chlorine) অণু থকাটো ধৰা পৰে। আৰু লগে লগে এইটোও প্ৰমাণ হয় যে দানাৰ ভিতৰত থকা অণুটোৱে একোটা বিন্দুক কেন্দ্ৰ কৰি অবিৰাম ইফালে সিফালে গতি কৰি থাকে (vibrate

• ৰণ্টজেন্ চাহাবে খুব কম চাপত থকা বতাহৰ ভিতৰেদি বিদ্যুৎ প্ৰবাহ পঠিয়াই এককৰম অদৃশ্য ৰশ্মি বাহিৰ কৰিছে। এই নবাবিষ্কৃত ৰশ্মিয়ে আমি সচৰাচৰ দেখা আলোকৰ ৰশ্মিৰ দৰে পোহৰ নিদিয়ে, কিন্তু সাধাৰণ আলোকৰ ৰশ্মিৰ দৰে ইও ফটোগ্ৰাফ্-প্লেটৰ ওপৰত ৰাসায়নিক ক্ৰিয়া কৰা বাবে ইয়াকেও ফটো তুলিব পাৰি। এই ৰশ্মিয়ে হাড় প্ৰভৃতি ঘন বস্তুৰ ভিতৰেদি ভেদ কৰি যাব নোৱাৰে কিন্তু তেজ মঙ্গহ প্ৰভৃতি লঘু বস্তুৰ ভিতৰেদি গতি কৰিব পাৰে আৰু এই বাবেই মানুহৰ শৰীৰৰ ভিতৰৰ অৱয়ৱবোৰৰ ফটো লব পাৰি আৰু সেইবাবেই আজিকালি ৰুগুণালীৰ বোগনিৰ্ণয় কৰা বিষয়ত ইয়াক বহুলভাৱে ব্যৱহাৰ কৰা হয়। এই আবিষ্কাৰটোৱে শৰীৰ বিজ্ঞানত এটা নুগাম্বৰ আনিছে আৰু সেইবাবেই ইয়াৰ আবিষ্কাৰক অধ্যাপক ৰণ্টজেন্ চাহাবক প্ৰথমৰ শ্ৰেষ্ঠ সম্মান নোবেল প্ৰাইজ দিয়া হৈছে। এই ৰশ্মি প্ৰথমে আবিষ্কাৰ কৰা সময়ত ইয়াৰ বিষয়ে বিশেষ তথ্য জনা নগৈছিল সেইবাবে ইয়াক এক্স ৰে (X-Ray) অৰ্থাৎ নজনা নুগুনা ৰশ্মি বোলা হৈছে। আবিষ্কৰ্ত্তা ৰঞ্জনৰ নাম অনুসাৰে ইয়াক ৰঞ্জন ৰশ্মিও (Rontgen Ray) বোলা হয়।

about a mean position)। এইদৰে লৰচৰ কৰি থাকোঁতে কিছুমান বস্তুৰ বাহিৰত থকা পৰমাণুবিলাকৰ দুই চাৰিটাই অইন পৰমাণুবিলাকৰ আকৰ্ষণীৰ বাজ হৈ গৈ বস্তুটোৰ বাষ্পৰ অণুত পৰিণত হয় গৈ। এইদৰে কিছুমান কণিকা মূলবস্তু এটাৰপৰা বিচ্ছিন্ন হৈ যোৱাকে বস্তুটোৰ ভাপ উঠা বোলে। আইডিন্, ফচ্‌ফৰাচ্, বৰফ প্ৰভৃতি গোটা বস্তুৰ ভাপ উঠা দেখা যায়, এই সম্বন্ধে পাছত আৰু বহলাই কোৱা হব। এইদৰে দেখা গ'ল যে ৰঞ্জনৰশ্মিৰ পৰীক্ষাই বস্তুৰ গতিবাদৰ (Kinetic theory of matter) ভেটি দৃঢ়তৰ কৰে আৰু যদিও দানা অৱস্থাত পৰমাণুবিলাকে সুকীয়া বস্তুৰ দৰে লৰচৰ কৰি থকা বুলি প্ৰমাণ হয়, অইন অৱস্থাত দানাহীন বস্তুৰ কণিকাবোৰৰ দৰে পৰিপাটি গাঁথনি নথকা বাবে পৰমাণুৰ ঠাইত অণুবিলাকে প্ৰত্যেকেই একোটা সুকীয়া বস্তুৰ দৰে লৰচৰ কৰা বুলি ধৰি ললে বোধ হয় বিশেষ ভুল কৰা নহব।

জুলীয়া বস্তু

জুলীয়া বস্তু বুলিলে আমি কি বুজোহঁক? জুলীয়া বস্তুৰ কথা ভাবিলে প্ৰথমেই পানীৰ কথা আমাৰ মনলৈ আহে। পানী প্ৰভৃতি জুলীয়া বস্তুৰ এটা প্ৰধান গুণ (আৰু এই গুণেই গোটা বস্তু আৰু জুলীয়া বস্তুক পৃথক কৰিছে) হৈছে এই যে সিবিলাকৰ নিজৰ কোনো সুকীয়া আকৃতি নাই, যি পাত্ৰতে থোৱা যায়, তাৰে গঢ় লয় আৰু যিমান ভাগত ইচ্ছা সিমান ভাগত অনায়াসে ভগাব পাৰি। দ্বিতীয়তে গোটা বস্তুৰ দৰে অতিপাত হেঁচা দিলেহে জুলীয়া বস্তুৰ আয়তন অলপমান কমাব পাৰি। জুলীয়া বস্তুৰ বিষয়ে আৰু দকৈ পৰীক্ষা কৰি চালে পোৱা যায় যে তাৰ কণিকাবিলাক গোটাবস্তুৰ কণিকাবিলাকৰ দৰে প্ৰত্যেকে একো ডোখৰ ঠাইত আবদ্ধ নাথাকি বস্তুটোৰ ভিতৰত ঘূৰি ফুৰিব পাৰে। এই বিষয়ে সহজে এটা পৰীক্ষা কৰি চাব পাৰি। এটা দীঘল সৰু কাঁচৰ চুঙ্গাৰ (cylinder) অলপমানলৈকে তুতীয়াৰ পানীৰ (copper sulphate solution) ভৰাই লৈ তাৰ পিছত বিশুদ্ধ ফটফটীয়া পানী খুব লাহে লাহে চুঙ্গাটোৰ গাৰে বৈ অহাকৈ বাকি দিয়ক, যাতে তলৰ তুতীয়াৰ পানী থিৰেৰে থাকিব পাৰে। প্ৰথমে বিশুদ্ধ পানী আৰু তুতীয়াৰ পানীৰ মাজত এটা সীমাৰেখা দেখা যাব; লাহে লাহে সীমা ৰেখাটো অস্পষ্ট হৈ আহিব আৰু তলৰ তুতীয়াৰ পানীৰ ৰং আগতকৈ অলপ পাতল হয় আৰু ওপৰতো পাতল সেউজীয়া ৰং দেখা যাব। এইদৰে থাকোঁতে থাকোঁতে কেই ঘণ্টামানৰ ভিতৰতে সীমাৰেখা অদৃশ্য হব আৰু গোটেই খিনিয়ে পাতল তুতীয়াৰ পানীত পৰিণত হবগৈ। তুতীয়াৰ পানী ওপৰলৈ নোযোৱা হলে আৰু ওপৰৰ বিশুদ্ধ পানী তললৈ নহা হলে কেতিয়াও এনেকুৱা হব নোৱাৰিলেহেঁতেন। * অইনপক্ষে সোণ আৰু ৰূপ যুগযুগান্তৰ ধৰি একেলগে থৈ দিলেও সোণ সোণেই আৰু ৰূপ ৰূপেই থাকিব—সোণৰ মাজত এধনিষ্ঠা মানো ৰূপ নাইবা ৰূপৰ মাজত এধনিষ্ঠামানো সোণ থকা বুলি প্ৰমাণ কৰিব নোৱাৰি; কিয়নো গোটা বস্তুৰ কণিকা বোৰে তাৰ থকা ঠাই পৰিবৰ্ত্তন কৰি বস্তুটোৰ মাজত ফুৰি ফুৰিব নোৱাৰে। জুলীয়া বস্তুৰ অণু নাইবা কণিকাবোৰৰ এই ব্যৱহাৰৰ কি কাৰণ হব পাৰে? এই কথাটোও অণুৰ আকৰ্ষণী শক্তি আৰু গতিশক্তিৰ পোহৰত আলোচনা কৰি চোৱা যাওক। যেতিয়া এটা বস্তু গোটা অৱস্থাৰ পৰা জুলীয়া অৱস্থালৈ যায়, তেতিয়া তাৰ আয়তন অলপহে লৰচৰ হয়—কেতিয়াবা বাঢ়ে, কেতিয়াবা টুটে। গতিকে অণুবিলাকৰ মাজৰ ফাঁকৰ (intermolecular space) বিশেষ লৰচৰ নহয় আৰু সেইবাবেই মধ্যাকৰ্ষণৰ নিয়মমতে সিহঁতৰ পৰস্পৰৰ মাজৰ আকৰ্ষণীশক্তিৰ বিশেষ হীন ডেঢ়ি নঘটে। আৰু বাস্তৱিকতে জুলীয়া বস্তুৰ অণুবিলাকৰ পৰস্পৰে পৰস্পৰক আকৰ্ষণ কৰে বুলিয়েই জুলীয়া বস্তুৰ সৰু সৰু অংশ একোটাৰ পৃথিবীৰ আকৰ্ষণীশক্তিৰ বিৰুদ্ধে টোপা

* জুলীয়া বস্তুৰ অনুবোৰৰ এই গতিকে Diffusion বোলা হয়। বাষ্পবিলাকৰো এই গুণ আছে।

আকাৰত থকা সম্ভৱপৰ হয়। * সেইবাবে জুলীয়া বস্তুৰ অণুবিলাকৰ এই ব্যৱহাৰৰ বাবে সিহঁতৰ গতিশক্তিকেই সম্পূৰ্ণৰূপে দায়ী বুলি কব পাৰি। জুলীয়া অৱস্থাত বস্তু এটাৰ অণুবিলাকৰ গতিশক্তি ইমান প্ৰবল যে এটা অণুৱে ওচৰত থকা অইন অণুবিলাকৰ আকৰ্ষণীশক্তিক অতিক্ৰম কৰি স্বচ্ছন্দে ইঠাইৰ পৰা সিঠাইলৈ গতি কৰিব পাৰে; আৰু অণুবিলাকে এইদৰে ফুৰি থাকোঁতে যিবোৰ অণুৱে বস্তুটোৰ বাহিৰৰ ভাগলৈ (surface) আহে, সিহঁতৰ বাহিৰৰ পিনে অইন অণু নথকা বাবে ওচৰৰ অণুবিলাকে সদায় সিহঁতক ভিতৰৰ পিনে টানে, কিন্তু তথাপিও কিছুমান অণুৰ গতিশক্তি ইমান বেছি থাকে যে সি অনায়াসে অইন অণুবিলাকৰ আকৰ্ষণৰ চাৰিসীমাৰ (range of molecular attraction) বাজ হৈ বতাহলৈ গতি কৰে। আমি আগত কৈ আহিছোঁ যে 'আইডিন্' প্ৰভৃতি কিছুমান গোটা বস্তুৰ অণুও মূল বস্তুৰপৰা বিচ্ছিন্ন হৈ যাব পাৰে; কিন্তু এই গুণটো সকলো গোটাবস্তুৰে নাই। আন পক্ষে সকলো জুলীয়া বস্তুৰ পৰাই ভাপ ওলায় আৰু এই কথাটোকে (phenomenon) ভাপ উঠা (evaporation) বোলে। জাৰকালি পুখুৰীৰ পানীৰ উপৰি ভাগৰপৰা কুঁৱলীৰ নিচিনা কিছুমান কণিকা ওপৰলৈ উঠি যোৱা দেখা যায়—সেয়ে পানীৰ বাষ্প (vapour)। কিন্তু কুঁৱলীৰ নিচিনা যি দেখা যায়, সেই বোৰ পানীৰ অণু নহয়—অণু ইমান সূক্ষ্ম যে সুদা চকুৰ কথাকে নকওঁ, পৃথিবীৰ ভিতৰত আটাইতকৈ শক্তিশালী অণুবীক্ষণ যন্ত্ৰেৰেও দেখা নাযায়—কিন্তু কেবাটাও অণু লগ লাগি কণিকা গঠন কৰাতহে দেখা পাওঁ। এইদৰে গাখীৰ, পানী প্ৰভৃতি উতলালেও ধোঁৱা ওলোৱা দেখা যায়। এতিয়া জুলীয়া বস্তুৰ গুণ দুটা সহজে ব্যাখ্যা কৰিব পৰা যায়। গোটা বস্তুৰ দৰে জুলীয়া বস্তুৰো অণুবিলাকৰ গতিশক্তি আৰু পৰস্পৰৰ মাজত আকৰ্ষণী শক্তি থকা বাবে জুলীয়া বস্তু এটাৰ আয়তন লৰচৰ কৰিব নোৱাৰি—আয়তন বঢ়াব খুজিলে আকৰ্ষণী শক্তিয়ে আৰু কমাব খুজিলে গতিশক্তিয়ে বাধা দিয়ে। সেই দৰে জুলীয়া বস্তুৰ অণু-বিলাকৰ গতিশক্তি প্ৰবল বুলি সিহঁতে অইন অণুবিলাকৰ আকৰ্ষণী শক্তি থকা স্বত্বেও নিজৰ ঠাই এৰি ইফালে সিফালে যাব পাৰে, গতিকে কিছুমান অণুক অইন কিছুমানৰপৰা পৃথক কৰা একো টান কাম নহয়।

গেচ বা বাষ্প

গেচ বুলিলে আমি বতাহৰ নিচিনা হাতেৰে ধৰি ৰাখিব নোৱাৰা এটা বস্তু বুজোহঁক। গেচক ঠিক চকুৰে দেখা নোপোৱা বস্তু বুলিব নোৱাৰি; বৰ্ণহীন গেচবোৰহে চকুৰে দেখা নাযায় কিন্তু যিবিলাকৰ বৰ্ণ আছে সিবিলাকক চকুৰে দেখা যায়। গেচক আমাৰ স্পৰ্শশক্তিৰে অনুভৱ কৰিব নোৱৰা বস্তুও বুলিব নোৱাৰি; কিয়নো বতাহ বলিলে কিহবাই আমাক ঠেলা যেন অনুমান হয়। এইবিলাক কথা এৰি দি বতাহৰ নিচিনা গেচবোৰৰ কি বিশেষ গুণ লক্ষ্য কৰিব পাৰি চোৱা যাওক। প্ৰথমে, জুলীয়া বস্তুৰ নিচিনা গেচবো নিজৰ

* পানী প্ৰভৃতি জুলীয়া বস্তুৰ ঘূৰণীয়া টোপা আমি দিনে ৰাতিয়ে দেখি আছোহঁক। বৰষুণৰ টোপাবিলাক ঘূৰণীয়া অৱস্থাতেই আহি মাটিত পৰে। টোপাবিলাক অইন আকৃতিৰ নহৈ-ঘূৰণীয়া হোৱাৰ কাৰণ কি? জুলীয়া বস্তুৰ অণুবিলাকে পৰস্পৰে টনাটনিকৈ থাকে। আৰু এনেকুৱা এটা টনাটনিকৈ থকা সংগঠন (a system of attracting bodies) থাকিলে ঘূৰণীয়া অৱস্থাত তাৰ আটাইতকৈ কম অন্তৰ্নিহিত শক্তি থাকে বুলি প্ৰমাণ কৰিব পাৰি সেইবাবেই আমি আগতে কৈ অহা অন্তৰ্নিহিত শক্তিৰ বিধিমতে তাৰ সেইটোৱে স্বাভাকৰি অৱস্থা। সেই টোপাবিলাকে ঘূৰণীয়া আকৃতি ধাৰণ কৰে। কিন্তু অনুবোৰৰ পৰস্পৰৰ আকৰ্ষণী শক্তিৰ বাজেও পৃথিবীৰ যাৱতীয় ওপৰৰ প্ৰভাৱ বিস্তাৰ কৰি আছে;—আৰু সেইটো হৈছে পৃথিবীৰ মধ্যাকৰ্ষণ শক্তি। জুলীয়া বস্তুৰ একেলগে থকা অংশটো সৰু হলে পৃথিবীৰ আকৰ্ষণৰ প্ৰভাৱ সেই পৰিমিতে কম থাকে আৰু তাৰ তুলনাত পৰস্পৰৰ আকৰ্ষণৰ প্ৰভাৱ বেছি হোৱা বাবে বস্তুটোৰ নিজৰ ঘূৰণীয়া আকৃতি বজাই ৰাখি থাকিব পাৰে। কিন্তু যদি জুলীয়া বস্তুৰ অংশটো ডাঙৰ হয় তেনেহলে পৃথিবীৰ আকৰ্ষণী শক্তিৰ প্ৰভাৱ তাৰ ওপৰত বেছি হয় আৰু আমি আগেয়ে দেখি আহিছো যে পৃথিবীয়ে কোনো বস্তুৰে মধ্যাকৰ্ষণৰ কেন্দ্ৰ বিন্দু যিমান ও চৰলৈ পাৰে তিমান চৰলৈ নিবলৈ বিচাৰে আৰু জুলীয়া ও বস্তুৰ আকৃতিৰ একো লাগবান্ধ নথকা বাবে পৃথিবীয়ে জুলীয়া বস্তুৰ অণুবিলাকক যিমান পাৰে সিমান বলেৰে টানি নিয়ে যাতে সিহঁতৰ মধ্যাকৰ্ষণৰ কেন্দ্ৰবিন্দু যিমানদূৰ সম্ভৱ পৃথিবীৰ কেন্দ্ৰৰ ওচৰ হয় আৰু এনেকুৱা কৰা বাবেই জুলীয়া বস্তুৰ উপৰিভাগ এক সমধৰাবনৰ ওপৰত থাকে। সেইহে আমি খাল নাইবা পুখুৰীৰ পানীৰ উপৰিভাগ এনে নিমজ দেখোঁ।

কোনো আকৃতি নাই ;—ফুটবলৰ ব্লাডাৰৰ ভিতৰত সুমাই থলে ই ঘূৰণীয়া আকৃতি গ্ৰহণ কৰে; চাইকেলৰ টিউবৰ ভিতৰত সুমাই থলেও ঘূৰনীয়া চাকাৰ আকাৰ ধাৰণ কৰে। দ্বিতীয়তে, গেচৰ আয়তন অতি সহজে কমাব বা বঢ়াব পাৰি। আৰু বয়ল্‌চ্‌ (Boyles) চাহাবে এইটো প্ৰমাণ কৰি দেখুৱাইছে যে উত্তাপ ঠিক একে ৰকমে থাকিলে কোনো গেচৰ নিৰূপিত পৰিমাণৰ আয়তন (Volume) চাপ (pressure) বঢ়াৰ লগে লগে সমান অনুপাতত কমে আৰু চাপ কমাৰ লগে লগে সেই অনুপাতত বাঢ়ে।* অৰ্থাৎ চাপ দুগুণ কৰিলে আয়তন আধা হয়, তিনি গুণ কৰিলে তিনি ভাগৰ এভাগ হয়, আৰু তেনেকৈ চাপ কমাই আধা কৰিলে আয়তন দুগুণ হয়, ইত্যাদি। এই ব্যৱহাৰটো ব্যাখ্যা কৰিবলৈ গেচ এটাৰ পৰস্পৰৰ মাজৰ ব্যৱধান ইমান বেছি যে সেই ফাঁকবোৰৰ আয়তনৰ তুলনাত অণুবিলাকৰ নিজৰ নিজৰ আয়তনৰ সমষ্টিটো বাদ দিব পাৰি; অৰ্থাৎ এটা গেচৰ আয়তনক তাৰ অণুবিলাকৰ মাজৰ ফাকবোৰৰ সমষ্টিৰ সমান বুলি ধৰি লব পাৰি। দূৰত্ব বেছি বুলিয়েই সিহঁতৰ পৰস্পৰৰ ওপৰত পৰস্পৰৰ প্ৰভাৱো নাই বুলিয়েই ধৰি লব পাৰি আৰু সেই দেখি অণুবিলাকে যথেচ্ছ গতিত বিচৰণ কৰি ফুৰিব পাৰে। কিন্তু যেতিয়া ফুৰি থাকোঁতে থাকোঁতে এটা অণু অইন এটা অণুৰ নিচেই ওচৰ চাপে তেতিয়া দুয়োৰে ওপৰত পৰস্পৰৰ আকৰ্ষণী শক্তিৰ প্ৰভাৱ পৰে আৰু সিহঁতৰ বাধাহীন গতি বাধাপ্ৰাপ্ত হয়। * এই অৱস্থাত অণু দুটাক ভেটাভেটি (encounter) হোৱা বোলা হয়। কিন্তু দুটা অণু ভেটাভেটি হলে সিহঁতৰ আকৰ্ষণীশক্তিয়ে দুয়োৰে ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলেও অণু দুটাই আকৰ্ষণীশক্তিৰ ডোলেৰে বান্ধ খাই কেতিয়াও বেছি সময় অতিবাহিত নকৰে আৰু এই চেনেহৰ জৰী ছিঙিব পৰাকৈ অণুদুটাক যথেষ্ট পৰিমাণে বৈৰাগ্য থকা বুলি অৰ্থাৎ প্ৰচণ্ড বেগৰ বলত বলীয়ান বুলি কল্পনা কৰা হৈছে। আৰু গেচৰ অণু এটাৰ বাধাহীন বাটত (free path) ফুৰা সময়ৰ তুলনাত অইন অণুৰ লগত ভেটাভেটি (encounter) হোৱা সময় ইমান কম যে তাৰ ওপৰত অইন অণুৰ প্ৰভাৱ একেবাৰে নোহোৱা বুলি ধৰি লব পাৰি। গেচবিলাকৰ বিষয়ে আমি মুঠতে দুটা অনুমান কৰিছোঁ,—প্ৰথম গেচ এটাৰ আয়তন অণুবিলাকৰ মাজৰ ফাঁকৰ সমষ্টিৰ সমান—দ্বিতীয়তে গেচৰ অণুবিলাকৰ মাজত টনাটনি শক্তি নাই। গেচবিলাকৰ আগতে কৈ অহা গুণ দুটা কেনেকৈ ব্যাখ্যা কৰিব পাৰি চোৱা যাওক। গেচবিলাকৰ অণুবিলাকৰ মাজৰ টনাটনি শক্তি নোহোৱা বাবে সিহঁতৰ আকৃতি লৰচৰ কৰা যে একো টান কাম নহয় সেইটো সহজে অনুমান কৰিব পাৰি। দ্বিতীয়তে সেই একে কাৰণেই সিহঁতৰ আয়তন বঢ়োৱা সহজ, কিয়নো ইয়াত বাধা দিবলৈ অণুবিলাকৰ আকৰ্ষণীশক্তি নাই; যি সামান্য বাধা পোৱা যায়, সিও বাহিৰৰ শক্তিৰ বাবে। আৰু সেইদৰে কমাব খুজিলেও অণুবিলাকৰ গতি শক্তিয়ে বাধা দিলেও অণুবিলাকৰ সংখ্যাল্পতা হেতুকে সেই বাধা গোটা নাইবা জুলীয়া বস্তুৰ আয়তন কমাব খুজিলে যি বাধা পোৱা যায় তাৰ তুলনাত নিচেই সামান্য। আৰু যেতিয়া এই পৰস্পৰ বিৰুদ্ধ শক্তি দুটাৰ প্ৰভাৱ একে সমানে

* Temperature remaining constant the volume of a given quantity of a gas varies inversely as the pressure.—Boyles Law.

* গেচৰ অণুবিলাকৰ পৰস্পৰৰ মাজত সাধাৰণতে আকৰ্ষণী শক্তি নথকা বাবে অণুবিলাকৰ ওপৰত কোনো শক্তিৰ প্ৰভাৱ নাথাকে—পৃথিৱীৰ আকৰ্ষণীশক্তিও অণুবিলাকৰ পদাৰ্থ পৰিমাণ (mass) নিচেই কম হোৱা বাবে নোহোৱা বুলি ধৰি লব পাৰি। সেইবাবে নিউটনৰ গতিবিধিৰ প্ৰথম সূত্ৰমতে (Newton's first Law of Motion) এটা অণুৱে এজাল সৰলৰেখাৰ একেপিনে নিৰ্দ্দিষ্ট বেগেৰে গতি কৰি থাকে; কিন্তু যেতিয়া দুটা অণু ফুৰোতে ফুৰোতে নিচেই ওচৰাওচৰি হয় তেতিয়া সিহঁতৰ পৰস্পৰৰ ওপৰৰ পৰা বাবে সেই গতি বাধা প্ৰাপ্ত হয়। নিউটনৰ গতিবিধিৰ প্ৰথম সূত্ৰটো হৈছে এই—"Every body continues in a state of rest or of uniform motion (in a straight line) unless it is acted on by some impressed force".

থাকে তেতিয়া গেচটোৰ আয়তন একে ৰকমে থাকে। এতিয়া দেখা যাওক বস্তু এটাৰ আয়তন কিহৰ ওপৰত নিৰ্ভৰ কৰে।—প্ৰথম, অণুবিলাকৰ গতিশক্তি, দ্বিতীয়তে সিহঁতৰ আকৰ্ষণীশক্তি আৰু তৃতীয়তে বাহিৰৰ শক্তি। * সাধাৰণতে অণুবিলাকৰ আকৰ্ষণীশক্তি আৰু বাহিৰৰ শক্তিয়ে সহযোগিতা কৰে আৰু গতিশক্তিয়ে এই দুই শক্তিৰ বিৰুদ্ধতা আচৰণ কৰে। গোটাবস্তু আৰু জুলীয়া বস্তুৰ কথা আলোচনা কৰোঁতে দেখিছোঁ যে অণুবিলাকৰ আকৰ্ষণীশক্তি আৰু গতিশক্তিৰ তুলনাত বাহিৰৰ শক্তি ধৰ্ত্তব্য নহয়; সেইহে গোটাবস্তু আৰু জুলীয়াবস্তুৰ আয়তন বাহিৰৰপৰা প্ৰভূত শক্তি প্ৰয়োগ কৰিও লৰচৰ কৰিব নোৱাৰি। সেইবাবে গোটা আৰু জুলীয়াবস্তুৰ আয়তনৰ ওপৰত বাহিৰৰ শক্তিৰ প্ৰভাৱ নাই বুলি কব পাৰি। আনপক্ষে গেচবিলাকৰ বেলিকা অণুবিলাকৰ আকৰ্ষণীশক্তি নাই বুলি কব পাৰি; সেইবাবে অণুবিলাকৰ গতিশক্তি আৰু বাহিৰৰ শক্তিয়ে গেচ এটাৰ আয়তন নিৰ্দ্ধাৰণ কৰে—গতিশক্তিয়ে আয়তন বঢ়াব খোজে আৰু বাহিৰৰ শক্তিয়ে গেচটোক চেপা মাৰি ধৰি থাকিব খোজে। সেইবাবে বাহিৰৰ শক্তি কমাই আমি গেচ এটাৰ আয়তন ইচ্ছামতে বঢ়াই নিব পাৰোঁ। এটা ফুটবলৰ ব্লাডাৰৰ মুখটো ভালকৈ বান্ধি এটা বতাহ উলিয়াই নিব পৰা পাত্ৰৰ (vacuum chamber) ভিতৰত সুমাই তাৰ পিছত পাত্ৰটোৰ বতাহখিনি লাহে লাহে উলিয়াই ললে ব্লাডাৰটো ক্ৰমে ডাঙৰ হৈ আহিব আৰু পাত্ৰটোৰ ভিতৰৰ ঠাইখিনিৰপৰা বেছিকৈ বতাহ উলিয়াই নিলে শেষত ব্লাডাৰটো ফাটি যাব পাৰে কিন্তু যদি ব্লাডাৰটো ফাটি নোযাওঁতেই আকৌ লাহে লাহে পাত্ৰটোৰ ভিতৰলৈ বতাহ সুমাই দিয়া যায় তেনেহলে আকৌ ব্লাডাৰটো সৰু হৈ গৈ শেষত আগৰ নিচিনা হব। ইয়াৰ কাৰণ হৈছে এই যে পাত্ৰটোৰ ভিতৰত যিখিনি বতাহ থাকে সেয়ে ব্লাডাৰটোক ডাঙৰ হবলৈ নিদিয়াকৈ হেঁচা দি থাকে কিন্তু বতাহ উলিয়াই অনাৰ লগে লগে সেই হেঁচাৰ বল কমি যায় আৰু সেইবাবে ভিতৰত থকা বতাহখিনিৰ আয়তন বাঢ়ি যায়, কিয়নো আমি আগেয়ে কৈ অহা মতে গতিশক্তিয়ে সদায় ভিতৰত থকা বতাহখিনিৰ আয়তন বঢ়াব খোজে কিন্তু বাহিৰৰ শক্তিয়ে বাধা দি বকা বাবে নোৱাৰে; কিন্তু বাহিৰৰ শক্তি কমি গলে ভিতৰৰ শক্তিয়ে বতাহখিনিৰ আয়তন বঢ়াই আনে আৰু যেতিয়া বৰ্দ্ধিতায়তন বস্তুটোৰ ওপৰত বাহিৰৰ আৰু ভিতৰৰ শক্তি আকৌ সমান হয় তেতিয়া বস্তুটোৰ আয়তন আকৌ একে ৰকমে থাকে। ইয়াত পাত্ৰটোৰ ভিতৰত থকা বতাহখিনিৰ চাপকে বাহিৰৰ শক্তি বোলা হৈছে। মুঠতে আমি গোটা আৰু জুলীয়া বস্তুৰ কথা কওঁতে বাহিৰৰ শক্তিৰ কথা (বতাহৰ চাপ প্ৰভৃতি) মনত ঠাইকে নিদিব পাৰোঁ, কিন্তু গেচৰ বেলিকা বাহিৰৰ শক্তিৰ কথা বাদ দিলে কোনোমতেই নচলে।

বস্তুৰ তিনি অৱস্থাৰ সাৰাংশ

এতিয়া তিনিওটা অৱস্থা তুলনা কৰি আমাৰ কামৰ এক আধ্যা শেষ কৰোঁ। গোটাবস্তুৰ অণুবিলাক সিহঁতৰ পৰস্পৰৰ আকৰ্ষণীশক্তিৰ প্ৰভাৱত পৰি প্ৰত্যেকে একো একো ডোখৰ ঠাইতে পেপুৱা লাগি থাকে কিন্তু মৰিলেও ধনঞ্জয় বায়ু নেৰাৰ নিচিনা প্ৰত্যেকে তাৰ চাৰিওপিনে একো ডোখৰ ঠাই ৰাখি তাকেই ভোগ-দখল কৰি থাকে অৰ্থাৎ নিতান্ত নিৰ্জীৱটো হৈ নাথাকি ইফালে সিফালে তজ্‌বজ্‌কৈ লৰি-চৰি থাকে আৰু তাৰ থকা ঠাই কমাবলৈ কৰা সকলো ৰকম আক্ৰমণকে বাধা দিয়ে অৰ্থাৎ বস্তুটোৰ আয়তন কমাব খুজিলে অণুবিলাকৰ গতিশক্তিয়ে বাধা দিয়ে। আনপক্ষে জুলীয়া বস্তুৰ অণুবিলাকে আকৰ্ষণীশক্তিৰ গৰাহৰপৰা নিজক মুক্ত কৰিব পৰাকৈ শক্তি থাকিলেও আকৰ্ষণীশক্তিৰ প্ৰভাৱ সদায় সিহঁতক ওপৰত বৰ্ত্তমান থাকে আৰু জুলীয়া বস্তুৰ অণু এটাই যদিও ভাগ্যক্ৰমে মাজে মাজে একোচোৱা বাট বাধাহীন গতিত

* বাহিৰৰ শক্তি বুলিলে বতাহৰ চাপ প্ৰভৃতিক বুজায়। এই বিষয়ে পাছৰ সংখ্যাত বহলাই কোৱা হব।

(free motion) যাব পাৰে তথাপি বাধাপ্ৰাপ্ত গতিৰ তুলনাত এই বাধাহীন গতিটোৰ সময় ইমান কম যে জুলীয়া বস্তুৰ অণুবিলাকৰ অবাধ গতি নাই বুলিয়েই কব পাৰোঁ আৰু সেই বাবে জুলীয়া বস্তুৰ অণু এটাই সৰল ৰেখাত গতি কৰিব নোৱাৰে,—অণুটোৱে ইপিনে যাব খুজিলে সিপিনে টানি নিয়ে এই দৰে তাৰ গতি বেঁকাবেঁকি হয়। আন পক্ষে অণুবিলাকৰ অবাধ গতিয়ে গেচবিলাকৰ এটা বিশেষত্ব।

ক্ৰমশঃ—

গায়ক-নাৱিক

—গল্প

—শ্ৰীযুত উমেশচন্দ্ৰ শইকীয়া

কাতিমাহ। দহ তাৰিখ।

বতৰটো গোমা। আগদিনা নিশা বৰষুণ আৰু বতাহ অলপ ডাঙৰেই হৈছিল; ফলত গেৰেলি ধান আৰু ফুলৰি ধানবোৰ বতাহত পৰিল, ধাননিত পানী একাঠু হ'ল।

প্ৰায় ৪॥ মান বজা। ঘৰত থাকি আমনি লগাত এফালে পাক এটা মাৰি আহিবৰ ইচ্ছাৰে বাজ ওলালোঁ।

বাটটো জেকা। কিছু দূৰ গৈছোঁ, বুঢ়া চাকৰটোৱে আহি চিঠি এখন মোৰ হাতত দিলে। তাক হেনো পিয়নে লগ পাই মোক দিবলৈ দিছিল।

চিঠিখন চালোঁ—লিখিছে "অৰ্পণৰ" সম্পাদকে।

'অৰ্পণ' কাৰ্য্যালয়

সবিনয় নিবেদন,

প্ৰধানতঃ আপোনালোকৰ সহযোগিতাৰ অনুগ্ৰহতে 'অৰ্পণ'ৰ ৫ম বছৰ নিৰাপদে আৰু গৌৰৱজনক ভাৱে পূৰণ হ'ল।.....কাকত খনৰ নতুন বছৰ পৰিছেহি। এই বছৰত ইয়াৰ ক্ৰমোন্নতি ৰাইজে আশা কৰাটো স্বাভাৱিক। অৱশ্যে আমি সেই বিষয়ে যত্নৰ কম নকৰোঁ। কিন্তু অকল আমাৰ নগণ্য চেষ্টাতে কাকতখন ৰাইজৰ আশানুৰূপ কৰি তোলা সম্পূৰ্ণ অসম্ভৱ। তালৈ অসম আইৰ সুযোগ্য লিখকসকলৰ সুচিন্তিত আৰু উন্নত ধৰণৰ প্ৰবন্ধৰ আৱশ্যক। মুঠৰ ওপৰত কাকত খন নিয়মীয়া আৰু ক্ৰমোন্নত হোৱাৰ বাটত আপোনালোকৰ সহানুভূতি নিতান্ত অপৰিহাৰ্য্য।.....

বিনীত—

সম্পাদক, 'অৰ্পণ'

চিঠিখন পঢ়ি শেষ কৰিছোঁ মাত্ৰ—সমুখত সুৰেন। মিচিকিয়া হাঁহি এটা মাৰি কলে,—'কি হে প্ৰিয়তমাৰ প্ৰেম পত্ৰ পালা নেকি?'

তোমালোকৰ দৰেতো নহয়—আমাৰ প্ৰিয়তমাৰ কিজানি জন্মই হোৱা নাই, মই কলোঁ। সুৰেনে কথা শুনি হেঃ হেঃ কৰি হাঁহি কলে, নহয় নহয়; ফুল ফুলিল; ভোমোৰা পৰে পৰে। চাওঁ বাৰু চিঠি খন দিয়া। চিঠিখন মোৰ হাতৰ পৰা থাপ মাৰি নি তেওঁ পঢ়ি পেলালে। শেষ কৰি কলে "ভাল প্ৰিয়তমাৰ পত্ৰ! বাৰু বলা ফুৰি আহোঁ; সন্ধিয়াৰ পৰা ১২ বজালৈকে প্ৰবন্ধ লিখিবা।" তাতে সম্মতি জ্ঞাপন কৰি ফুৰিবলৈ বাট ললোঁ।

যাওঁতে কথা ওলাল,—অসমীয়া সাহিত্যৰ আৰু নতুন কামৰ 'নমিনেশ্যন'ৰ। পিছৰটিত সুৰেনৰ কিছু স্বাৰ্থ আছিল, তাৰ কাৰণে তেৱোঁ এজন প্ৰাৰ্থী।

সন্ধিয়া।

পূব ফালে ডাৱৰৰ মাজেদি আকাশত চন্দ্ৰমাই ভুমুকি মাৰিছে। ডাৱৰবোৰ চিকমিকাই ৰূপালী হৈ পৰিছে।

দুয়ো গৈ ভৰলুৰ পুলত বহিলোঁ। সুৰেনে গান ধৰিছে 'চোৱা হেৰা সখী ধুনীয়া আকাশে, ধীৰে ধীৰে অমিয়া ঢালিছে।' মই শুনিছোঁ।

ফিৰফিৰীয়া বতাহ মাৰিছে। সুৰেনে গান গোৱা বন্ধ কৰিছেহে, তেনেতে যেন সুৰেনৰ গীতৰ প্ৰতিধ্বনি তুচ্ছ কৰি আবেগ ভৰা এটি সুৰ, ক্ষীণ, অস্পষ্ট, ক্ৰমে স্পষ্ট হৈ আমাৰ কাণত পৰিল। দুয়ো একচিত্তে একাগ্ৰ ভাৱে গীত শুনিছোঁ। গীতৰ লহৰ উঠিছে। গীতটো যিমান দূৰ অনুসৰণ কৰিব পাৰিছিলোঁ, এই।

অ' পচোৱা কি আনিছ,
দে বাতৰি দে পচোৱা,—
হিয়া দিয়া হিয়া নিয়া

ক কথাটি গুপুতীয়া;
অ' পচোৱা কি আনিছ
দে বাতৰি দে পচোৱা।
শুনিম তাকে হেঁপাহেৰে
প্ৰাণ পুলক আবেগেৰে
—তোৰ যেতিয়া লাগিলে বা
দহি পুৰি উঠিলে গা
দে বাতৰি প্ৰিয়াই দিয়া
অ' পচোৱা দে!
মোৰ নে তোৰ দে অ' পচোৱা
কি আনিছ দে বতৰা
আছেনে মোৰ ভালে প্ৰিয়া
ক কথাটি অ' পচোৱা।

গীতৰ মধুময় ঝঙ্কাৰ বতাহত মিহলি হৈ উৰি শূইনত মিলি গ'ল—তাৰ প্ৰতিধ্বনি হ'ল পুলৰ পানীৰ হেন্দোলনিত আৰু পাৰৰ বকুল কেইজোপাৰ বকুল ফুলৰ পাহিত। কি হিয়া ভৰা তাৰ কৰুণ সুৰ! সন্ধিয়াৰ ভাৰাক্ৰান্ত বতাহে সঁচাকৈয়ে গায়কৰ প্ৰিয়তমাৰ বাতৰি দিছে। বকুলৰ পাতবোৰে বতাহত হালিজালি যেন তাৰে সহানুভূতি জ্ঞাপন কৰিছে। ক্ৰমে গীতৰ লহৰ মাৰ গ'ল।

ঠাইখন নিজম হ'ল।

সুৰেন আৰু মই নীৰৱ নিমাত।

অলপ পিছত। জোনৰ পোহৰ পৰিছে। এখন সৰু টুলুঙ্গা নাও বাই এটি নৱাৰীয়া আহিছে। বগা চেলেং কাপোৰ এখন ঘাগৰীগতীয়াকৈ লোৱা। আমাৰ ফালে কেৰাহিকৈ চালে—গুচি গ'ল নাৱৰ পাৰি দি।

সুৰেনে কলে—এয়ে গায়ক বোধ হয়।

আগেয়ে শুনিছিলা জানো?

ওহো নাই শুনা। মই নিমাত।

গীত কেনে শুনিলা?

কবি হোৱা হলেহে কিজানি ইয়াৰ প্ৰকৃত বৰ্ণনা দিব পাৰিলোঁহেতেন!

সুৰেনে কলে—বাস্তৱিক সুন্দৰ।

তাৰ পিছত সেই গায়ককে লৈ বহুত কথা চলিল। জোন তেতিয়া ভালে খিনি ওপৰত। দুয়ো গুচি আহিলোঁ। আহোতে বেছি কথা বাৰ্ত্তা নাই—মোৰ চিত্ত গায়কে আকৰ্ষণ কৰিছে।

ঘৰত।

কিতাপ এখন মেলি বিছনাত দীঘল দিছোঁ। বন্ধ খুলিলেই বাছনি পৰীক্ষা। পঢ়া নহ'ল,—মন সেই সান্ধ্য সঙ্গীতৰ ধ্বনিত।

ঘৰীলৈ চালোঁ, বাৰ বাজি পাঁচ মিনিট। মনক তাপৰিব নোৱাৰি কিতাপত চকু দিলো। কব নোৱাৰোঁ কেতিয়া মোহতন্দ্ৰাত অভিভূত হলোঁ, কোন কবিৰ কল্পনা যেন মোৰ সপোনত সঞ্জীৱিত হৈ উঠিল।

.....কুমুদিনীৰ হিয়া আবেগ ভৰা! প্ৰেম সফুঁৰাৰ ঢাকনি খনি মেলি প্ৰাণপুলকে প্ৰণয়ৰ দেৱতাক আহ্বান কৰিছে। বহুদিনান্তে যেন বিৰহ ব্যথাৰ বোজাটি একাষে থৈ মিচিকি হাঁহি লাজকুৰীয়া ভাবে চিৰ আকাঙ্ক্ষিত চিৰ-বাঞ্ছিত প্ৰণয়ৰ অতিথিক ফুলশয্যাত আলিঙ্গন কৰিবলৈ কুমুদিনীৰ হিয়া উদ্বেলিত। চন্দ্ৰমাই যেন গোপনে গোপনে প্ৰণয়িনীৰ হৃদয়ৰ নিভৃত কোণৰ গুপুতীয়া কথাবোৰ কাণ পাতি শুনিছে। যেন দীৰ্ঘ বিচ্ছেদৰ পিছত প্ৰণয়িনীক কোলাত বহুৱাই লৈ সেই মধুময় মাধুৰীৰে পৰিণত মুখ খনি ৰ লাগি চাই আছে।

এই সপোনৰ মাজেদিয়ে যেন মই ভাহি ভাহি গৈ সেই সন্ধিয়াৰ টুলুঙ্গা নাও খনিত ভৰি দিলোঁ। গায়ক জনেই গুৰি ধৰিছে। মাতবোল নাই। নৈ পাৰ হলোঁ। এজোপা বকুল গছৰ তলত দুয়ো নামিলোঁ। ঠাই খনি পৰিষ্কাৰ—বেছ চাফচিকুনকৈ ৰখা। চাৰিও ফালে নানা ফুল ফুলি জাতিস্কাৰ হৈ আছে।

গায়ক গহীন। ধীৰে ধীৰে কেই পাহি মান বকুল ফুল তুলি আনি সেই দুবৰিৰে ঢাক খোৱা ঠাই ডোখৰত ছটিয়াই দিলে। মোৰ ধাৰণা হ'ল যেন পাশ্চাত্য জগতৰ প্ৰিয় জনৰ স্মৃতিৰ তৰ্পণ।

বকুল জোপাৰ তলতে দুয়ো বহিলোঁ। ৰিব ৰিব কৰি জুৰ বতাহ বলিছে।

মই সুধিলোঁ—মোক ইয়ালৈ কিয় আনিলা ককাই? গায়কে গম্ভীৰ অথচ বেদনা-কাতৰ সুৰত কলে—অলপ আৱশ্যক।

কেনে ৰকমৰ?

ৰকম নাই, এটা ব্যথিত হুমুনিয়াহ।

মই একো বুজা নাই।

বুজিব নালাগে, শুনিবা, পাৰা বুজিবা, নোৱাৰা, শূন্যত নিক্ষেপ কৰিবা। তেওঁ নিৰ্ম্মম ভাৱেই আৰম্ভ কৰিলে—

শুনা। অভাৱৰ ডাঙৰ নিপীড়ন। তাৰ জ্বালাত থাকিব নোৱাৰি আহি বিদেশত চাকৰিত সোমালোঁ। কেই মাহ মান থকাৰ পিছতেই মোৰ অলপ আয় হবলৈ ধৰিলে। মাজে সময়ে ঘৰলৈও টকা পঠাওঁ।

ঘৰৰ অৱস্থাও বৰ টনকিয়াল নহয়; পিছে লাহে লাহে ভাল হবলৈ ধৰিলে। প্ৰথমতে বিদেশী মানুহ মই,

তেনেই আছহবা। মোক সেই নানা আছকালত আনকি চাকবিত ভর্তি কবাকে আদি কবি সকলো কামতে..... হাজবিকাই সহায় কবিলে—তেখেতেই বিদেশত মোব চিনাকি—এজন অন্যতম বন্ধু।

প্রথমতে তেখেতব ঘবতেই মই থাকিবলৈ ধবিলোঁ। তেখেতব ঘবব পবিয়ালব লগত দিনে দিনে ঘনিষ্ঠতা বাঢ়ি যাবলৈ ধবিলে। তেখেতব পবিবাব গবাকী সঁচাকৈয়ে অমায়িক, সাদবী, কেবল স্বাস্থ্যসম্পন্নহীনা। হাজবিকাব পবিয়ালত তেখেতব সহধর্মিনী, এজনী বুঢ়ী ছোৱালী তবা—আৰু দুটি সক সক ল'বা।

কিছুদিন থকাব পিছত তেখেতব সক ল'বা দুটিব পঢ়ুৱাবব ভাব মোব ওপবতেই পবিল। মই ভাল পালোঁ। মাজে মাজে তবাই ভুমুকি মাবে, আকৌ কেনিবাদি অদৃশ্য হয়।

লাহে লাহে তাত কাম কবা মোব চাবি বছব মান হ'ল। সেই চাবি বছব মোব এটি গান, এটি স্বপ্ন, এটি স্মৃতি, এটি কবিতা। প্রাণত যে কি এটা অনুভূত আনন্দব ঢল আছিল! ছাত্রক পঢ়ুৱা অৱশ্যে দৈনন্দিন কৰ্ম, কিন্তু তবাই যিদিনা সন্দেহ ভঞ্জনব বাবে সামান্য একোটা কথাকে লৈ দীঘলকৈ কথা পাতে, তেতিয়া মোব আনন্দ নিবীক্ষণ কবে কোনে!

কৃত্রিম শাসনব বান্ধ ছিগি গ'ল, দুখনি তৰুণ হৃদয় মিলনব পূর্ব্বাগত বঞ্জিত হৈ উঠিল। কিন্তু বিবাহব অন্তবায় বহুত। সমাজব নামত যিমান গালিপ াবিলোঁ, শুনে কোনে? নিজব গজনা নিজলৈকে কিবি আছে। ভাবিলোঁ, তবাব চকুব আগবপবা পলাওঁ, কিন্তু জগতত ঠাই ক'ত?

মই, যি নহ'ক, এটা অফিচব কামত সোমালোঁ। থাকোঁও তাতে।

চাবি বঞ্জাত কামবপবা আজবি পাওঁ। যেতিয়া মোব থকা ঠাইলৈ মই নাযাওঁ, তবাইতব ঘবত চাহ খাবই লাগিব, সেয়ে তবাব অনুবোধ। দুদিন যাব নোৱাবিলোঁ; সেই কেই দিন তবাব কি মানসিক উত্তেজনা! তবাব চকুলো মই সহ্য কবিব নোৱাবোঁ। কেতিয়াবা ছোৱালীব চকুত তপত চকুলো দেখিছা?—মই কি উত্তব দিম একো ভাবি নাপালোঁ। তেওঁ আকৌ আবম্ভ কবিলে—

"এদিন দেওবাব। মই বেলা ৪ মান বজাত তবা ইতব ঘবলৈ গৈছোঁ। সেই দিনা দেখোঁ হাজবিকাব মনব গতিগোজ কিছু বেলেগ। মোক দেখি তেখেতব মুখ বঙা পবি গ'ল, কিন্তু একো কব পবা নাই। পিছত একে উশাহতে কলে—অকৃতজ্ঞ, বিশ্বাসব অযোগ্য। কথা শুনি মোব গা চিবিং কবি উঠিল। কাবণ অৱশ্যে বুজিলোঁ। হাজবিকাই গম পাবইতো, ভালগোৱাতো লুকাব পবা বস্তু নহয়।

মই কোনো উত্তব নিদি উঠি আহিলোঁ।

আহি বিছনাত দীঘল দি পবিলোঁহি। মোব মূব ঘূবি গ'ল। বাহ্যিক জ্ঞান লোপ পালে। কিংকর্ত্তব্যবিমূঢ় হলোঁ। ভাবিলোঁ, মই অকৃতজ্ঞ নে মোব ভালগোৱা? মই অবিশ্বাসী নে মোব সেই ভাব? যদি তবাহে মোব ভালগোৱাক প্রত্যাখ্যান কবিলেহেঁতেন! কবিবই বা কেনেকৈ? মোব হিয়াত যি জ্বালা তাকো সেয়ে। যদি ইয়াত চাকবি কবিবলৈকে নাহিলোহেঁতেন? কোন দোষী? তবা নে মই? ছিঃ! লাজত জিভা কামুবি ধবিলোঁ—সেই দেবীব নামত কলঙ্ক আবোপ,—.তওঁব যে দয়া নহয় কোনো কব! মই জানো প্রণয়ব যোগ্য?

পিছ দিনা। হাজবিকাই মোব ওপবত অভিযোগ কবিলে আচল কাবণটো লুকুবাই—ওপবৰালাই যিদিনাই মোক কামবপবা বিদায় দিলে; সিও এটা শাস্তি, মোক জুইত পেলাই নিদিলে কিয়, তেতিয়া যে মোব চিব শাস্তি হ'লহেঁতেন।

একেটা চিন্তা, তবাক কেনেকৈ এবি যাম। যাব লগা হলোঁয়েই যেতিয়া এবাব যদি তেওঁক চাই যাব পাবোঁ। নহ'ল, নোৱাবিলোঁ। হায়! তবাব অবস্থা কি হৈছে! কোনে উত্তব দিব?

চেষ্টা কবিও হাজবিকাব ঘবব প্রতি নিশ্চিন্ত হব নোৱাবিলোঁ। অদৃষ্টই কি পবিহাস!—দুদিন পিছতে তবাব বিয়া হৈ গ'ল, মঘো নিমন্ত্রিত। অসম্ভব? বৃশ্চিক দংশন কেতিয়াবা ভুগিছা?—অসম্ভব;—গায়ক নায়িকব আক কথা মুকুটা হ'ল।

মুবশিতানত পব দি থকা ঘবীয়ে এলাৰ্ম দিলে—টিলিং লিং লিং লিং।

মহিলা জগত



বিখ্যাত বৈজ্ঞানিক মেডেমকুৰী
[বেডিয়ম আবিষ্কৰ্ত্রী
বৰ্ত্তমান বয়স প্রায় ৬৪]



বিখ্যাত গায়িকা মেডেম আবগেণ্টিন স্কমেন হিঙ্ক
[বৰ্ত্তমান বয়স প্রায় ৭০]



বিখ্যাত সমাজ সংস্কাবকৰ্ত্রী মিচেছ জেন এডমিচ
[বৰ্ত্তমান প্রায় ৬০ বছব বয়সতো নেবানেপেবাকৈ
এই কামত লাগি আছে]



মুক্তি সেনানীব নায়িকা মিচ ইভেঞ্জেলীন বুথ
[বৰ্ত্তমান বয়স প্রায় ৬৭]



বিখ্যাত টকি ফিলম এক্‌ট্রেচ মেৰী ড্রেচলাৰ
[বৰ্ত্তমান বয়স ৬৩]

ব্যায়াম প্ৰতিযোগিতাত মহিলা





বিখ্যাত অভিনেত্ৰী মিনি মডাৰ্ণ ফিস্ক
[বৰ্ত্তমান বয়স ৬১]



মধ্য প্ৰদেশৰ গাৰ্লগাইডসকল

সম্পাদকীয়

অসম সাহিত্য সম্মিলনৰ শিৱসাগৰ অধিবেশনৰ বিশেষত্ব

এই সভাৰ ত্ৰয়োদশ বাৰ্ষিক অধিবেশন বৰ উৎসাহ-পূৰ্ণতা আৰু নানা বিশেষত্বৰ মাজেদি শেষ হ'ল। অসমীয়া এলেহুৱা বুলি অখ্যাতি এটা আজি বহু দিনৰপৰা চলি আহিছে। এনেবিলাক কুখ্যাতি উত্থানশীল জাতি এটাৰ পক্ষে অকল যে কলঙ্কৰ কথা সেয়ে নহয়, আনফালে, এইবিলাকে তাৰ সৰ্ব্বসাধাৰণৰ মনত আগুৱাবলৈ বল দিবৰ আৱশ্যকতাৰ ঠাইত দুৰ্ব্বলতাহে আনি দিয়ে। কিন্তু বৰ সুখৰ বিষয় সাহিত্য সভাৰ শিৱসাগৰ অধিবেশনত সকলোৰে মনত নতুন ভাৱ এটা লক্ষিত হৈছিল। জাতীয় উত্থানৰ অদম্য আকাঙ্ক্ষা আৰু তাৰৈ অসীম উৎসাহে সকলোকে আশান্বিত কৰি তুলিছে। তাতেহে ইমান দিনৰ জাতীয় জড়তা জোকাৰি পেলাই অৱস্থা চাই তৎপৰতাৰে ব্যৱস্থা কৰিবলৈ এই সভাত বহুত লাগতিয়াল প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

এই প্ৰস্তাৱবিলাকৰ বৈশিষ্ট আছে ; আমাৰ জাতিক আত্মপ্ৰতিষ্ঠ কৰি তুলিবলৈ সজ উদ্দেশ্য আৰু চেষ্টা বুজা গৈছে। এই অধিবেশনৰ বিশেষত্ব অকল ইয়াত গৃহীত হোৱা প্ৰস্তাৱ সমূহৰ বৈশিষ্ট্যতে নহয়। সভাপতি শ্ৰীযুত নগেন্দ্ৰ-নাৰায়ণ চৌধুৰী ডাঙৰীয়াৰ অভিভাষণখনিও গতানুগতিক ভাৱৰ নহৈ বৈশিষ্ট্যপূৰ্ণতাৰে ভৰপূৰ হৈছিল। আকৌ প্ৰধান বিশেষত্ব হৈছে—সভাপতি ডাঙৰীয়া গোৱালপাড়া জিলাৰ মানুহ। এই গোৱালপাড়া জিলা বঙ্গদেশৰ লগত, তাৰ স্বাৰ্থসিদ্ধিৰ বাবে লগ হব লাগে বুলি ইয়াৰ প্ৰবাসী বঙালীসকলে এই জিলাৰ জমিদাৰ কেগৰাকীৰ সহানুভূতি থকা বুলি ওপৰে ওপৰে আন্দোলন চলাবলৈ সুবিধা পাইছিল। কিন্তু চৌধুৰী ডাঙৰীয়াৰ সভাপতিৰ বাব গ্ৰহণ আৰু তেওঁৰ অভিভাষণত তেনে চেষ্টাৰ প্ৰতিবাদত সেই অলীক আন্দোলনৰ প্ৰকৃত অযৌক্তিকতা ওলাই পৰিল। ইয়াৰ বাহিৰেও তেওঁৰ অভিভাষণ বৰ্ত্তমান সময়ৰ আমাৰ জটিল সমস্যাৰ সম্যক আলোচনাৰে গধুৰ হৈছিল। আদৰণী সভাৰ সভাপতি শ্ৰীযুত ভুবনেশ্বৰ গগৈ ডাঙৰীয়াও এগৰাকী কৰ্ম্মযোগী পুৰুষ, তেওঁৰ অভিভাষণৰ ভিতৰতো জাতিৰ বৰ্ত্তমান সময়ৰ নানা সমস্যাৰ সমাধান, সাহিত্য ক্ষেত্ৰৰ ভিতৰেদি যিমানখিনি সম্ভৱ হব পাৰে তাৰ আলোচনা আছিল। এই শিৱসাগৰ অধিবেশনতে অসম নাট্যকলা সমিতি বুলি নতুন আৰু দেশৰ বহুতে আৱশ্যক অনুভৱ কৰা অনুষ্ঠান এটিও গঠিত হ'ল। এনেকৈ এই শিৱসাগৰ অধিবেশনে অসমীয়া সাহিত্য আৰু জাতিৰ ইতিহাসও আকৌ এটা বিশেষ অধ্যায়ৰ আৰম্ভ কৰিলে।

অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ আৰু প্ৰধান প্ৰস্তাৱবিলাকৰ লগত সাদৃশ্য—

অসমীয়া জাতিৰ পক্ষে বৰ সঙ্কট কাল আহি উপস্থিত হৈছে, নিজ অস্তিত্ব লোপ পাবলৈ ওলাইছে। নানা জাতিৰ নানা ভাষাভাষী বিদেশী আহি অসমীয়াৰ হক স্বাৰ্থত আঘাত দি অসমৰ জাতীয় সমস্যা অতি জটিল কৰি তুলিছে। এনে সময়ত সভাপতি শ্ৰীযুত চৌধুৰী ডাঙৰীয়াৰ অভিভাষণত সেইবিলাক বহুখিনিৰ যথাযথ আলোচনা সময়োপযোগী হৈছে। এই সমস্যালৈ আঙুলিয়াই তেওঁ কৈছে—"সহিত্যৰ উন্নতি কৰিব লাগিলে প্ৰধান কথা ইয়াৰ প্ৰচাৰৰ ঠাই বহল হব লাগে। দুখৰ বিষয় অসমত মানুহৰ সংখ্যা আন প্ৰদেশতকৈ তাকৰ। তাৰ ভিতৰতো বঙালী, উড়ীয়া, মাদ্ৰাজী, হিন্দুস্থানী, নেপালী, সাওঁতাল প্ৰভৃতিৰ সংখ্যাই সৰহ। এই সকলৰপৰা অসমীয়া সাহিত্যৰ কিবা সহায় হোৱাৰ আশা কম। এনে অৱস্থাত যদি অসমৰ অধিবাসী পৰ্ব্বতীয়া জাতিবিলাকৰ মাজত আৰু

মণিপুৰত, প্ৰাদেশিক ভাষা নচলে তেনেহলে আৰু দুখ বাখিবৰ ঠাই নাইকিয়া হব। ত্ৰিপুৰা বাজ্য, মণিপুৰ, গাৰোপাহাৰ আৰু বাভা-কচাৰী প্ৰভৃতিৰ ভাষাবিলাকৰ ভিতৰত কিছু পৰিমানে মিল আছে বুলি শুনিবলৈ পোৱা যায়। হলেও এক নহয়। আৰু কোনো সাহিত্যৰ মাজেদি এক হবৰ সুবিধা নোপোৱাত এইবিলাকৰ মাজত পাৰ্থক্য বাঢ়ি গৈছে আৰু যাব লাগিছে। পৰ্ব্বতীয়া জাতি-বিলাকৰ সংখ্যাও তেনেই কম। এই বিলাক প্ৰতিগন জিলাৰ নিমিত্তে একোটা সুকীয়া ভাষা হব লাগিলে এফালে যেনেকৈ সেইবিলাকৰ ভাষাৰ কেতিয়াও উন্নতি হবব আশা নাথাকে আনফালে তেনেকৈ তেওঁলোক নিজে চৰ্ব্বল হৈ থকাব লগে লগে এই প্ৰদেশখনকো বলহীন কবি থব। অথচ প্ৰতি কামতে এই উপত্যকাবাসীৰ লগত তেওঁলোকৰ সম্বন্ধ বাখিবৰ আৱশ্যক। এতেকে জাতীয়তাৰ ফালে চাই এওঁলোক সকলোৰে প্ৰাদেশিক ভাষা শিকাৰ ব্যৱস্থা হোৱা উচিত। ই একো নতুন কথা নহয়। আহোম সকলে এই দেশত তিনি শ বছৰ বাজত্ব কবিও নিজ ভাষা এবি প্ৰাদেশিক ভাষা ধবিছিল। কোঁচ জাতিবো যে এটা বেলেগ ভাষা আছিল তাৰ যথেষ্ট প্ৰমাণ আছে। এনেকি বঙলা দেশতো এটা বেলেগ ভাষা আছিল বুলি প্ৰকাশ। প্ৰিন্সেছ নিজ ভাষা এবি আৰ্য্যভাষা ধবিছিল বোলে। যি কি নহ'ক বৰ্ত্তমান বঙলা সাহিত্য সিদিনাখন মাথোন আৰম্ভ হৈছিল। কিন্তু ৰবীন্দ্ৰনাথ ঠাকুৰে এই কবিতাৰ মাজেদি শ্ৰেষ্ঠ ভাৰ ফুটাই তুলি 'নোবেল্' প্ৰাইজ পাই বিশ্বকবি নাম পালে। এনে অৱস্থাত এই এমুঠি পৰ্ব্বতীয়া বা মণিপুৰীয়াই কিয় আমাৰ প্ৰাদেশিক ভাষাবপবা বঞ্চিত হৈ থাকিব? এই বিষয়ে প্ৰচাব কাৰ্য্য লাগে।" কিন্তু ইমান দিনে আমি নিশ্চিন্তভৈ বহি নাথাকিলেও এইবিলাক সমস্তা সমাধানতৈ বিশেষ কিবা চেষ্টা কবা হৈছে বুলিও কোৱা টান। এনেকি মনত এই বিলাকলৈ যথেষ্ট ভাব থকা স্বত্বেও কাজত আমি আগ বাঢ়া নাই বুলি নকৈ নোৱাবি। তথাপি যি কি নহ'ক আশাৰ কথা এই খিনিয়ে যে এই বাবৰ সাহিত্য সভাত এই বিষয়ে এনে প্ৰস্তাব গৃহীত হৈছে যে "অসমৰ দাঁতি কাষবীয়া পৰ্ব্বতীয়া জাতিবিলাক, অসমত নিগাজিকৈ থিতাপি হোৱা মৈমনচিঙীগা, ছিলটীয়া আৰু চাহ বাগিছাৰ পবা ওলাই আহি স্থায়ীৰূপে বসতি কবা বাগিছাৰ বহুৱা আদি নানা অসমীয়া লোকসকলৰ মাজত অসমীয়া ভাষাৰ প্ৰচলনৰ উদ্দেশ্যে তলত লিখা সভ্য সকলেৰে এখন স্থায়ী কমিটি গঠিত হৈছে। আৰু উক্ত উদ্দেশ্য সাধনৰ কাৰণে লাগতীয়াল যাবতীয় কাৰ্য্য কবিবলৈ হাতত লোৱাৰ আগেয়ে কাৰ্য্য পদ্ধতিৰ নিৰ্দ্ধাৰণৰ অৰ্থে উপযুক্ত অনুষ্ঠান কাবী নিযুক্ত কবিবলৈ অসম সাহিত্য সভাৰ কাৰ্য্যকৰী সমিতিক ভাৰ দিয়া হৈছে।

স্থায়ী সমিতিৰ সভ্য ঃ—শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক (সম্পাদক), শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা' অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক, শ্ৰীযুত শৰচ্চন্দ্ৰ গোস্বামী, শ্ৰীযুত কীৰ্ত্তিনাথ বড়ফুলি, শ্ৰীযুত কুলধৰ চলিহা। আমি আশা কৰোঁ। কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ হাতত যি এটা লাগতীয়াল বিষয়ৰ ভাৰ পবিছে তাত তেওঁলোকে সোনকালে হাত দিব। আৰু গঠিত স্থায়ী কমিটিয়েও তেওঁলোকৰ কাৰ্য্য পদ্ধতিবে দেখৰ মহা উপকাৰ সাধন কবিব।

সভাপতি চৌধুৰী ডাঙবীয়াৰ অভিভাষণত আৰু এটা বিষয়ত জাতিৰ তৎপবতা আহ্বান কবা হৈছে। সি হৈছে পুবণি কামৰূপৰ অংশ বংপুৰ, কোচবিহাৰ আৰু জলপাই-গুড়ী আদি জিলাবিলাকক আকৌ আনি অসমৰ লগত লগ লগাবলৈ সম্প্ৰতি আমাৰ দেশত যি আন্দোলন আৰম্ভ হৈছে, তালৈ। তেওঁ যে অকল এই মত সমৰ্থন কৰে এনে নহয়; তেওঁ এই দাৱীক সম্পূৰ্ণ স্বাভাৰিক আৰু ন্যায্য মনে কৰে। আৰু তেওঁ আশা কৰে যে আমাৰ ফালৰ পবা বিশেষ চেষ্টা চলিলে তেওঁলোকেনো নিশ্চয় সন্মত কবাব পাবি। এই কথা তেওঁ এনেকৈ কৈছে—

"উল্লিখিত এই জিলা কেইখন বঙলা সাহিত্যৰ সঁচত আজি প্ৰায় দুশ বছৰ চেপি ধৰিও আৰু কলিকতাৰ নিচিনা ডাঙৰ চহবখনৰ লগত সম্বন্ধ বাখিবৰ আগ্ৰহ থকাতো, কেৱল বাঙলীভাষাপন্ন তথাকথিত শিক্ষিতৰ বাহিবে সাধাৰণৰ অন্তৰ্ভা যি আৰু দেয়ে আছে। এই

বিলাক জিলা-বাসীৰ লগত ধুবুৰী মহকুমাবাসীয়ে বিশেষ বিবেচনা কবা উচিত যে যি জাতিৰ বিশেষত্ব নাই তাৰ অস্তিত্বও থাকিব নোৱাবে। আৰু তেওঁলোক গমি চোৱা উচিত যে বৰ্ত্তমানৰ উড়ীয়া ভাষাৰ ফালে ঢাল খোৱা বঙালী ভাষাবপবা তেওঁলোক কিমান দূবত আঁতবি আছে! তেওঁলোকৰ শত চেষ্টাতো সেই ভাষাক কোনো-দিনে নিজৰ কবি লব নোৱাবে। বৰং যি কামৰূপী ভাষা এদিন কোচবেহাৰৰ মহাবজাৰ সাহায্যত আত্মপ্ৰকাশ কবিছিল, সেই ভাষা নিজৰ কবি লোৱা অতি সহজ আৰু সম্ভব। এতিয়া দবকাৰ, কোচ বেহাৰবাদি উল্লিখিত জিলাবাসীবিলাকক নিজৰ স্বৰূপ বুজাই দিয়া। ইয়াত অলপ সময় যাব পাবে কিন্তু এদিন নহয় এদিন বুজিবলৈ বাধ্য হব।

এই বিষয়েও সভাত এনে প্ৰস্তাব গৃহীত হৈছে—প্ৰস্তাবিত নতুন শাসনতন্ত্ৰত ভাষাৰ ভেটিত ভাবতৰ প্ৰদেশবিলাকৰ সীমাৰ সালসলনিৰ কথা চলিছে। এই সুযোগতে অসমৰ লগত ভাষাৰ বাহিবেও কৃষ্টি, বুৰঞ্জী আদি বিষয়ত বিশেষ ঘনিষ্ঠ সম্বন্ধ থকা পুবণি কামৰূপৰ অঙ্গ বংপুৰ, কোচবিহাৰ, জলপাইগুড়ী আদি জিলাবিলাক পুনৰ অসমৰ ভিতবলৈ আনিবলৈ আমাৰ দেশত প্ৰবল আন্দোলন চলাব লাগে আৰু সেইবিলাক ঠাইৰ বিশিষ্ট অধিবাসীসকলৰ মতামত অনুসাবে তাৰ জনসাধাৰণক এই বিষয়ে সজাগ কবিবৰ নিমিত্তে উপায় নিৰ্দ্ধাৰণ কবিবলৈ তলত লিখা সভাসকলেবে এটি কমিটি গঠিত হৈছে। এই কমিটিৰ আৱশ্যক অনুসাবে তাত পুস্তিকা বিতবণ আদি কামৰ খবচৰ ভাব সাহিত্য সভাই বহন কবিব। কমিটিৰ সভ্যসকল—শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, শ্ৰীযুত লক্ষীনাথ বেজবৰুৱা, শ্ৰীযুত নীলমণি ফুকন, ডাঃ দীননাথ শৰ্ম্মা, বাৰ বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগবৱালা শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য, শ্ৰীযুত প্ৰমথনাথ চক্ৰবৰ্ত্তী, শ্ৰীযুত তৰুণ বাম ফুকন।

ইয়াব বাহিবেও অভিভাষণত অসমীয়া ভাষাৰ বিস্তৃতি আৰু সাহিত্যৰ উন্নতিৰ বিষয়ে বহু আৱশ্যকীয় আলোচনা আছে। অসমীয়া সাহিত্যৰ উন্নতিৰ হকে যিমান খিনি উপায় অৱলম্বন সম্ভৱ হব পাবে আৰু সামান্য মাত্ৰও ইয়াৰ যি বাধাৰ কাৰণ থাকিব পাবে তাৰ সকলোখিনিকে পুঙ্খানুপুঙ্খৰূপে উল্লেখ কবিবলৈ বাকী বখা নাই। তাত অসমীয়া লিখক, পাঠক, কাকত চলাওঁতা প্ৰভৃতি সকলোকে বৰ্ত্তমানৰ কৰ্ত্তব্য সাধি জাতীয় উন্নতিৰ বাট আগ বাঢ়িবলৈ আহ্বান জনাইছে। ইফালে সম্মিলনত দেখৰ বৰ্ত্তমান সমস্তাবিলাকৰ সমাধানৰ অৰ্থে গৃহীত প্ৰস্তাৱ বিলাকো সভাপতিৰ অভিভাষণত উল্লিখিতৰা উপায়ৰ লগত বহুত খিনি মিলি যোৱা দেখা গেছে। ইয়াৰ দ্বাবা দেশৰ, বৰ্ত্তমান অৱস্থা সম্বন্ধে সকলো দেশবাসীয়ে যে সজাগ হৈছে তাৰ স্পষ্ট প্ৰমাণ ওলাই পবিছে। জাতিৰ জীৱনত ই এটা কম সৌভাগ্যৰ কথা নহয়। সাহিত্য জাতিৰ মেৰুদণ্ডস্বৰূপ। এই সাহিত্য গঢ়ি তুলিবলৈ যেতিয়া সকলোবে উমৈহতীয়া চিন্তা আৰু চেষ্টা আৰম্ভ হৈছে তেতিয়া আমাৰ সাহিত্যৰ উন্নতি ওচবতে বুলি ভাবিব পাবি আৰু লগে লগে জাতীয় উৎকৰ্ষও অনিবাৰ্য্য আৰু অদূৰ ভবিষ্যততে বুলি আশা কবা যায়। লাগে এতিয়া এই সাৰ্ব্বজনীন ভাববিলাককে কাৰ্য্যলৈ ৰূপান্তবিত কবিব পবিব। সভাৰ প্ৰস্তাৱ মতে বেলেগ বেলেগ বিষয়ত, বিবিলাক কমিটি নিযুক্ত হ'ল সেইবিলাকে এতিয়া নিজ নিজ বিভাগৰ কাম হাতত লৈ আগ বাঢ়িলে সভাৰ গৌৰৱ বক্ষা হব আৰু লগে লগে দেখবা প্ৰভূত কল্যাণ সাধিত হব।

বক্তৃতাৰে দেশ সেৱাৰ লগে লগে আয় বঢ়াবৰ উপায়—

দেশৰ জন সাধাৰণক উন্নত, শিক্ষিত আৰু সজাগ কবি তুলিবলৈ হলে দেশীয় ভাষাৰ, জাতীয় ভাৱৰ দৈনিক কাকতৰ প্ৰচলন আৰু প্ৰতি ঠাইতে সভাসমিতি পাতি বক্তৃতা আদিৰ ব্যৱস্থা কবা প্ৰকৃষ্ট উপায় সচা, কিন্তু আমাৰ দেশত নিজ ভাষাত কোনো দৈনিক কাকত নোলোৱালৈকে সাপ্তাহিক, তিন দিনীয়া আদিবে কিমানখিনি কাম হব পাবে? সেই নিমিত্তে বক্তৃতা আদিব বিশেষ বন্দোৱস্ত কবিলে কিছু বেছি কাম হব পাবে বুলি আশা কবি এইবাবৰ

সাহিত্য সভাত শ্রীযুত তাবাপ্রসাদ চলিহা ডাঙবীয়াই প্রস্তাব কবিছিল—অসমীয়াব বর্ত্তমান জড়তা আতবাই জাতীয় জীয়নৰ সর্ব্বাঙ্গীন উৎকর্ষ সাধনব নিমিত্তে সকলো মানুহকে জাগবিত কবিবলৈ অসম সাহিত্য সভাই উপযুক্ত সাহিত্যিকসকলব দ্বাবাই ঠাযে ঠাযে বক্তৃতাব আযোজন কবিব। আক সেই বক্তৃতা বিলাকব প্রত্যেকটোব কাবণে সর্ব্বসাধাবণবপবা টিকেট লগাই যি পঁচা উঠিব সেই টকা নির্দ্দিষ্ট বক্তাক পাবিতোষিক দিয়া হব।" এই প্রস্তাব গৃহীত হৈছে। আমাব সাহিত্যিকসকলব পক্ষে নতুন উপাযে দেশ-সেৱাব বাট ওলাইছে। উপযুক্ত দেশ-সেৱক সাহিত্যিক আগ বাঢ়িলে এই উপাযে যে দেশব অশেষ কল্যাণ সাধিত হব, তাত কোনো সন্দেহ নাই—অৱশ্যে এই উপাযে উপার্জ্জনহে কিমান খিনি হব তাক এতিয়াই ঠিক কবি কব নোৱাবি যদিও।

বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ—

শ্রীযুত সোণাৰাম চৌধুৰী ডাঙবীয়া এই সভাৰ সভাপতি আছিল। তেখেতৰ অভিভাষণে অসমীয়া জাতিক নতুন পোহৰ দান কবিলে। তেখেতৰ অভিভাষণ খনি ইমান সুন্দৰ হৈছিল যে শ্রীযুত লক্ষীনাথ বেজবৰুৱা ডাঙবীয়াৰ প্রস্তাব মতে তাক সাহিত্য সম্মিলনৰ খৰচতে কিতাপ আকাৰে ছপা কবিবৰ দিহা হৈছে। সেই নিমিত্তে বোধ হয় তাক প্রকাশ কবিবলৈ সকলোকে সুবিধা দিয়া হোৱা নাই। আমিও সেই অভিভাষণ 'আবাহন'ৰ যোগে পঢ়াৰ সুবিধা আমাৰ পাঠক পাঠিকাসকলক দিবলৈ নাপালোঁ বাবে দুখিত। যিকি নহ'ক সাহিত্য সভাৰ অনুগ্রহত সি সোনকালে বাইজৰ মাজত প্রকাশ পাব বুলি আশা কবিলোঁ। সেইধন প্রকাশ পালে আমাৰ জাতীয় গৌৰবৰ সম্পদ বহুত খিনি বাঢ়িব, সন্দেহ নাই। বৃদ্ধ চৌধুৰী ডাঙবীয়া বেছি দিন সুস্থ অৱস্থাত জীয়াই থাকক—আমি এই প্রার্থনা জনাইছোঁ। সেয়ে হলে তেখেতবপবা এনে সম্পদ আক বহুতখিনি আশা কবিব পবা যাব।

অসম পলিটেকনিকেল ইনষ্টিটিউট

শিৱসাগৰত প্রধানতঃ শ্রীযুত ভুবনচন্দ্র গগৈ ডাঙবীয়াৰ যত্নত অসম পলিটেকনিকেল ইনষ্টিটিউট নামে অনুষ্ঠান এটি আজি কেবা বছৰবপবা চলি আছিছে। সম্প্রতি এই ইনষ্টিটিউশ্বনলৈ বেনাবছ য়ুনিভার্সিটিব অনুমোদন লোৱা হৈছে। এইবাব কেবাজনেও তালৈ পবীক্ষা দিবলৈ ওলাব। এই অনুষ্ঠানলৈ প্রথমতে শিৱসাগৰ কংগ্রেচ পবা ১০০৲ ববো বেছি টকা সহায় কবা হৈছিল। আজি কেবছবমানবপবা অসম গভর্ণমেণ্ট আক শিৱসাগৰ লোকেল বোর্ডেও সহায় কবিব লাগিছে।

এই ইনষ্টিটিউশনৰ বিশেষত্ব হৈছে ইয়াৰ লবা-বিলাকক স্বাৱলম্বী হবলৈ শিক্ষা দিয়া। চবিত্র গঠন কবি যাতে প্রত্যেকে প্রকৃত নাগবিক হব পাবে তালৈ চকু বখা হয়। ইয়াত ধর্ম্ম সম্বন্ধীয় শিক্ষাও বাদ নপবে। শ্রীযুত গগৈ ডাঙবীয়াৰ আপ্রাণ চেষ্টাৰ ফলতেহে এনে এটা মহৎ অনুষ্ঠান গঢ়ি উঠা সম্ভৱ হৈছে।

আমি আশা কবিছোঁ এই ইনষ্টিটিউশ্বন এদিন এটা সুকীয়া বিশ্ববিদ্যালয়ত পবিণত হব।

নেপালৰ মহাৰাজালৈ অভিনন্দন

যোৱা ২৪ পুহ শনি বাৰে নেপালৰ প্রধান মন্ত্রী আক সেনাপতি মহাৰাজা ভীম শুমশেৰ জং বাণাবাহাদুৰক নিখিল ভাৰতীয় হিন্দুমহাসভাৰ পক্ষবপবা অভিনন্দন দিয়া হৈছে। অকল নেপালেই স্বাধীন হিন্দুৰাজা, সেই বুলিয়েই নহয় তেওঁ ব্যক্তিগত ভাবেও অভিনন্দন পাবৰ উপযুক্ত। নেপালৰ শাসনভাৰ গ্রহণ কবাৰ পিছতেই তেওঁ লোণকৰ, কপাহকৰ, মাঁহকৰ আদি উঠাই দিছিল। আন দেশত যেতিয়া নতুন টেক্সৰ বতিৰ লাগিছে আক পুবণি টেক্সৰ হাৰ বাঢ়ি যাব লাগিছে তেতিয়া এই প্রজাবৎসল মহাৰাজাই তেওঁৰ বাজ্যত কৰ উঠাই দিয়া, কম মহানুভৱতাৰ কথা নহয়। আক অকল কৰ উঠোৱাই তেওঁৰ কীর্ত্তি নহয়। তেৱেঁই নেপাললৈ বেল নিয়ে, প্রজাৰ পানীৰ দুখ দূৰ কবে, বহু নেপালী ছাত্রক বিদেশত শিকাই নিজে আক নিব লাগিছে; নিজ বাজ্যতো এই শিক্ষাৰ নিমিত্তে বহুবত ডলাখকৈ টকা খবচ কবিছে। তেওঁ সর্ব্বসাধাবণৰ মাজত প্রচাৰৰ নিমিত্তে কৃষিবিজ্ঞান, স্বাস্থ্যতত্ত্ব আদি অনুবাদ কবি বিলি কবিছিল। তেওঁ নিজে বৰ সবল জীৱন যাপন কবে।

মিঃ ভিলিয়ার্স ৰ ইঙ্গিত

য়ুবোপীয়ান এচোচিয়েশ্বনৰ সভাপতি মিঃ ভিলিয়ার্সে বিলাতৰ এখন কাকতত মহাত্মা গান্ধীক ভাবতৰ বাহিবৰ কোনো ঠাইলৈ নির্ব্বাসিত কবিবলৈ ইঙ্গিত কবিছে। মিঃ ভিলিয়ার্সৰ মতে মহাত্মা গান্ধী দেশৰ শান্তিৰ পক্ষে বিষিনি—সেই নিমিত্তে তেওঁক ভাবতৰ বাহিবলৈ পঠালে আপদ দূৰ হয়। মিঃ ভিলিয়ার্সে যেনেকৈ মহাত্মাজীক ভাবতৰ শান্তিৰ বিঘ্নকাৰী বুলি ভাবিব পাবে তেনেকৈ ভাবতবাসীয়েও তেওঁক আক লগে লগে তেওঁৰ সভাথনক ভাবতৰ অশান্তি সৃষ্টিকাৰক বুলি ভাবিলে অন্যায় নহবো হব নোৱাবে। পিছে কথা হৈছে, ভাবতবাসীয়ে বিটোক ন্যায় বুলি ভাবে ইয়াৰ শাসক সম্প্রদায়ে তাক তেনে বুলি নাভাবে। আনকথা মিঃ ভিলিয়ার্স ৰ এইবোৰৰ নিছিনা ভাবতৰ স্বার্থ আক শান্তি হানিকৰ প্রস্তাব বা ইঙ্গিত অহুযাবেই কাম হোৱা দেখা যায়।

যিকি নহ'ক মিঃ ভিলিয়ার্সৰ এনে 'সদুদ্দেশ্যৰ' প্রতিবাদ ইংবাজ পবিচালিত Times of India কাকতেও কবিবলৈ বাধ্য হৈছে। সেই কাকতৰ মতে এনে নিৰ্ব্বাসনৰ দ্বাবা স্থূলত নফলি ওলোটা হোৱাৰ সম্ভাৱনাহে আছে।

মহাত্মাজী আক ববলাট

মহাত্মাজী ভাবত পোহাৰ পিছতে ববলাটলৈ টেলিগ্রাম এটা পঠাইছিল—উদ্দেশ্য, তেওঁৰ লগত দেখা কবি উত্তৰ পশ্চিম সীমান্ত প্রদেশ, আগ্রা অযোধ্যা প্রদেশ, আক বঙ্গদেশৰ বিষয়ে আলোচনা কবা। পিছে ববলাট উইলিঙ্ডনবপবা যি মর্ম্মে উত্তৰ আহিছিল মহাত্মাজী তাত সন্মত হলেও বোলে আকৌ নতুন এটা সর্ত্ত দিয়া হয় যে তেওঁ প্রদেশবিলাক সম্বন্ধে একো আলোচনা কবিব নোৱাবে। মহাত্মাজীয়ে ইয়াতে ক্ষুণ্ণ হৈ ববলাটলৈ এখন দীঘলীয়া চিঠি লিখে। ববলাটে নেকি মহাত্মাজীৰ চিঠিৰ এটা অংশত তেওঁক ভয় দেখুয়া হৈছে বুলি ব্যাখ্যা কবে। কিন্তু মহাত্মাজীৰ প্রকৃতি তেনেকুবা নহয় বুলি সকলোবে বিশ্বাস। আক লগে লগে বহুতে সন্দেহ কবে যে এই চিঠিবপবাই মহাত্মাজীৰ গ্রেপ্তাৰ হব লগীয়া হোৱা নাই। মহাত্মাজী বিলাতবপবা আহি পোহাৰ আগবেপবা গভর্ণমেণ্টে ভিতবে ভিতবে কংগ্রেচৰ বিৰুদ্ধে অভিযোগ আবম্ভ কবিছিল। সেই নিমিত্তে কংগ্রেচেও আকৌ নিকপ্রব আইন অমান্য আবম্ভ কবিবলৈ মনস্থ কবিছিল। মহাত্মাজী তাকে মাত্র জনাইছিল। কাবণ গভর্ণমেণ্টক জানিব দিয়াৰ পিছতহে অভিযান আবম্ভ কবা তেওঁৰ বীতি।

সাহিত্য সভাত অসমৰ স্বার্থৰ বিৰুদ্ধাচৰণ কৰা বিদেশী কাকত বয়কট আক নিজ দেশৰ কাকতৰ প্রতিসহানুভূতি দেখুৱাবলৈ কৰা প্রস্তাব –

সভাৰ ১০ম প্রস্তাব :—"সঞ্জীবনী, এডভান্স, লিবাৰ্টি, জনশক্তি, অমৃতবাজাৰ পত্রিকা আদি কিছুমান ঠেক মনৰ বঙালী কাকতে গোৱালপাড়া, কাছাৰ আদি ঠাইক এক দেশৰ লগত লগ লগাবলৈ আওপকীয়া প্রয়ত্ন প্রকাশ কবিছে। কিন্তু তাৰ প্রতিবাদ প্রকাশ কবিবলৈ তেওঁলোকে সাহ নকবে। তেনেবিলাক কাকতক এই সভাই গবিহনা দিয়ে আক স্বদেশহিতৈষী প্রতি অসমীয়াকে এই বিলাক কাকতৰ লগত সম্বন্ধ এবিবলৈ অনুবোধ কবে।"

আকৌ ১২শ প্রস্তাব হৈছে—"আজিকালি অসমীয়া কাকতে দেশবিদেশৰ গাঁজো বাতবি যোগাব পবা হোৱাত আন ভাষাৰ বাতবি কাকতৰ প্রতি অধিক আদব এবি অসমীয়া কাকতৰ বাৱসায়ৰ উন্নতিৰ অর্থে অসমীয়া কাকতৰ পোষকতা কবিবলৈ এই সভাই সদৌ অসমীয়া বাইজক সনির্ব্বন্ধে অনুবোধ কবে।" এই দুই প্রস্তাবত দুই এজনৰ সামান্য অসুবিধা হব পাবে। দুই এজনে আক

ইয়াক সংকীর্ণতা বুলি উপলুঙা কবাও একো আচবিত কথা নহয়। অসুবিধা নাইবা সংকীর্ণতা যি বুলিয়েই কোৱা নহ'ক আত্মবক্ষা আক আত্মসম্মান বজায় বাখিবব আৱশ্যকতা বোধ হয় কোনেও অস্বীকাব কবিব নোবাবে। আক অকল আমাব বুলিয়েই নহয় পৃথিবীত আমাতকৈও উন্নত বুলি যিসকলক ভবা হয় সেইসকলেও এনেবিলাক উপায়েবেই আত্মবক্ষা আক আত্মসম্মান বজায় বাখি আহিছে। আমাব কেৱল সেইসকলকে অনুসবণ কবা ছৈছে যেতিয়া, ইয়াক নিচক সংকীর্ণতাব দোহাই দি জাতীয় প্রতিষ্ঠান গঢ়ি তুলিবব বাটত অহবোণা দেখুৱালে আত্মবিস্মৃত আক দায়িত্বহীনতাব দোষে আহি নিশ্চয় ডুব। এই প্রস্তাবব আলোচনা প্রসঙ্গত শ্রীযুত নীলমণি ফুকন ডাঙবীয়াই সুন্দবকৈ বুজাই দিছিল, —ই সংকীর্ণতা, বিদ্বেষপবায়ণতা আদি একো নহ'—কেৱল জাতিব আত্মসম্মানত আঘাতব কথা। জাতিয়ে অনন্যোপায় অৱস্থাত পবিহে এনে বিধব ব্যৱস্থা কবিব লগীয়া হৈছে। বিদ্বেষপবায়ণতাব পবা এনে কাম কবিবলৈ আগ বাঢ়িলে এই সভাবপবাই কবি ৰবীন্দ্রনাথক ৰবীন্দ্র জয়ন্তী উৎসব সম্পর্কে আমি কেতিয়াও অভিনন্দিত কবিব নোৱাবিলোঁ হেঁতেন। কিন্তু অসমব প্রায় প্রতি চহবতপবাই কবিলৈ অভিনন্দন পঠোৱা হৈছে। এতেকে ইয়াক যেন কোনেও ভুল বুজি বঙালী-বিদ্বেষ নোবোলে। আক ই আমাব জাতীয় সংকীর্ণতাও নহয়। অৱশ্যে ইয়াত যে কিছুমানব অলপ অসুবিধা হব পাবে,সেই কথা অস্বীকাব কবিবব উপায় নাই। কিন্তু জাতীয় লাভব ফালে চালে এনেবিলাক ব্যক্তিগত অসুবিধাব কথা বিবেচনা কবিব পবা নাযায়। এনে বিলাক ব্যক্তিগত অসুবিধা ভোগব আক ত্যাগব মাজেদি আমাব জাতীয় প্রতিষ্ঠান এই দেশীয় কাকতবিলাক টনকিয়াল হৈ উঠিব, নতুন প্রচেষ্টাব বাট মুকলি হব। তেতিয়া নতুন আয়োজন চলিব। আক অচিবে আমাব জাতীয় অভাব আক কলঙ্ক দূব কবি দৈনিক কাকত এখনো ওলাবলৈ সুবিধা পাব।

অসমত 'ফিল্‌ম ইন্‌ডাষ্ট্রি

অসম সাহিত্য সভাব লগতে এইবাব শিৱসাগবত অসম নাট্যকলা সমিতি নামে সভা এখন শ্রীযুত নীলমণি ফুকন ডাঙবীয়াব সভাপতিত্বত বহিছিল। সেই সভাত এখন স্থায়ী নাট্যকলা সমিতি গঠিত হৈছে। সেই সভাব প্রস্তাব মতে ঠিক হৈছে, এই স্থায়ী কমিটিয়ে আন আন লাগতিয়াল কাম হাতত লোৱাব লগতে সম্ভব হলে এটা অসমীয়া 'ফিল্‌ম কোম্পানী'ও গঢ়ি তুলিবলৈ আলচ কবিব।

আজিকালি চলচ্চিত্র শিল্পব বহুত আদব হৈছে। কিন্তু তাক বহুত সময়ত অনুপযুক্ত ঠাইত তুলি চিত্রব দৃশ্যব সৌন্দর্য্য নষ্ট কবা হয়। সেই সৌন্দর্য্য বজায় বাখিবলৈ গৈ যেনেকৈ অতিকৈ খবচান্ত হব লাগে তাকৈ চাই বহুতে অসমেই এই ব্যৱসায়ব নিমিত্তেউপযুক্ত আক সুবিধাব ঠাই বুলি কয়। সেই কথা আমাব মাজত জনাজাত হলেও সাধাবণতঃ যি সকলে এনে ব্যৱসায় আবম্ভ কবিব খোজে তেওঁলোক বহুতে তাব সফল ব্যৱস্থাক কবিবলৈ সক্ষম নহয়। অসমত এতিয়ালৈ নিজব কোনো যৌথ কাৰবাবলৈ আমি বঢ়া নাই। আন দেশত হলে' বহুত কাৰবাবেই যৌথ কবি চলোৱা কাবণে। অৱশ্যে আমাব দেশত অসমীয়াব কোনো যৌথ কাৰবাব নাথাকিলেও অসমীয়া মানুহে যে তাক সুনুজে তেনে কথা কব নোৱাবি। কাৰণ আজিকালি বিদেশব বহুত তেনে কাৰবাবব অংশ অসমীয়াই কিনা। সেই বিলাক সকলোধিনিয়ে যে টিকে তেনে কথাও নহয়। এনেকি ইংলণ্ড আমেবিকা আদিতো কেতিয়াবা সেইবিলাক 'ফেইল' পবা দেখা যায়। তেনে অৱস্থাত আমাব অসমতে কেৱল সেই আশঙ্কা অমূলকভাবে দেখিকৈ কবি নিজক শিল্প বাণিজ্যত পিছত পেলাই বাখিবব কি যুক্তিসঙ্গত কাবণ থাকিব পাবে। এই কুড়ি শতিকাব যৌথ কাৰবাবব সফলতাব যুগলৈ চাই আমাব অসমীয়া কাৰবাবলৈ ইচ্ছুক সকলেও আগবাঢ়ি ওলালে দেশত বহুত শিল্প বাণিজ্য চলিব। অসমীয়া জাতিয়েও আন আন প্রদেশব দবে আত্ম নির্ভব কবিব পাবিব। লাগে কেৱল স্বজাতিলৈ অবিশ্বাস আত কবিবলৈ।

সমালোচনা

শ্রীকৃষ্ণ (মধ্যলীলা খণ্ড)—প্রণেতা শ্রীযুত পদ্মনাথ গোহাঞি বৰুৱা। বেচ ৩।০ টকা।

'শ্রীকৃষ্ণব' আগুলীনাথও ইতিপূর্ব্বে প্রকাশ হৈছে, আক অসমীয়া পাঠক সমাজবপবা ই যথেষ্ট আদব পাইছে। এতিয়া এই খণ্ডও বাইজে আগ্রহেবে গ্রহণ কবিছে, আক অন্তলীলা খণ্ড সোনকালে প্রকাশ কবিবলৈ বৃদ্ধ গোহাঞি বৰুৱা ডাঙবীয়াক খাটনি ধবিছে।

'শ্রীকৃষ্ণ'ক বুৰঞ্জীব ভেটিত থিয় কবি তেওঁব প্রচাবিত জীৱনাদর্শ লোকসমাজত প্রচাব কবাই লিখকব উদ্দেশ্য। গোহাঞি বৰুৱা ডাঙবীয়াব নিজব ভাষাত "সেই আদর্শ চবিত্রসুন্দব আত্মলীলা ছোৱাত চুপতীয়াব চিন ; মধ্যলীলা ছোৱাত তাব গা-গছব গঠন ; অন্ত্যলীলা ছোৱাত ঢাল-ঠেম্বুলি আক কর্ম্মফলব নিদর্শন।" গতিকে 'শ্রীকৃষ্ণ'ব এই মধ্যলীলা খণ্ড গীতাব কর্ম্মযোগবে বিকাশ বুলি কব পাবি। আমাব সাধাবণ ধাৰণাত শ্রীকৃষ্ণত ঈশ্বৰত্ব আক সেই হেতুকে অলৌলিকতা আবোপ কবা যায়, কিন্তু শ্রীকৃষ্ণ স্বয়ং সেই আখ্যাব বিবোধী, আক নিজে প্রকৃতিবাদী। গতিকে সংসাবব নানা জঁজি-জঞ্জালব মাজত থাকিও প্রকৃত কর্ম্ম-যোগীকপে জীৱনযাপন কবাই মানুহব শ্রেষ্ঠতম ধর্ম্ম। শ্রীকৃষ্ণই নিজে কাজে কামে এই আদর্শব উদাহবণ দেখুৱাই গৈছে, আক সময় ভূমিতো যুদ্ধলৈ উদাসীন অর্জ্জুনক সেই উপদেশেবে কর্ম্মত নিয়োগ কবিছে।

তস্মাত্তমুত্তিষ্ঠ যশো লভস্ব
জিত্বা শত্রূন্ ভুঙ্ক্ষ্ব বাজ্যং সমৃদ্ধম্।
মযৈবৈতে নিহতাঃ পূর্ব্বমেব
নিমিত্তমাত্রং ভব সব্যসাচিন্॥

শ্রীযুত গোহাঞি বৰুৱা ডাঙবীয়াব কথাতে হয় দি আমিও কওঁ যে আজিব পতিত অৱনত ভাবতবাসীব দুখময় পবাধীন জীৱনত শ্রীকৃষ্ণব এই মহদ্বাণীয়ে নিঃসন্দেহে হৃদয়ব সুপ্ত চেতনা যুবাই আনিব। শ্রীকৃষ্ণচবিত্রব দবে অতি আৱশ্যকীয় বিবাট গ্রন্থ এখনি প্রণয়ণ শ্রীযুত গোহাঞি বৰুৱা ডাঙবীয়াব অসমীয়া সাহিত্যব ভবালৈ এটি অমূল্য দান আক অসমীয়া বাইজে এই মূল্যবান সম্পদটি অতি আগ্রহেবে লব, সন্দেহ নাই। তেথেতব সুনিপুণ লিখনীয়ে তাহানি অসমীয়া ভাষাক নতুন ভেটিব ওপবত প্রতিষ্ঠা কবাত সহায় কবিছিল। আজি তেথেতব সেই প্রবীণ লেখনীবপবা ওলোৱা ভক্তিবসেবে আপ্লুত এই গ্রন্থখনিয়ে অসমীয়া সাহিত্যব ভবালব সম্পদ বঢ়াব, আক শ্রীযুত গোহাঞি বৰুৱা ডাঙবীয়াব নাম সাহিত্যক্ষেত্রত অমব কবি বাখিব। সুখব কথা, কোৱা সাহিত্যসভাই এই গুণীব গুণ পূজা কবিবলৈকেই অহা বছবলৈ তেথেতব অভিনন্দ দিবলৈ আয়োজন কবিছে। আমিও এই সাহিত্যবথী জনাক আমাব সাদব সম্ভাষণ জনাইছোঁ। তেওঁব 'মধ্য-লীলা' পঢ়ি এতাই আমি শ্রীকৃষ্ণব কর্ম্মযোগব পূর্ণবিকাশ চাবলৈ 'অন্ত্যলীলা খণ্ড'লৈ আগ্রহেবে বৈ আছোঁ।

মক্তমা—লিখক শ্রীযুত গোপালচন্দ্র গোস্বামী বি-এ, বেচ তিন অনা। সুসাহিত্যিক শ্রীযুত শবৎচন্দ্র গোস্বামী ডাঙবীয়াই লিখি দিয়া ভূমিকাখনিত এই নাটিকাখনিব লিখকব গূঢ় উদ্দেশ্য বেছকৈ ভাঙ্গি দেখুৱা হৈছে। আচলতে বর্ত্তমান যুগব প্রৱল প্রতিবন্ধিতাব ভিতবত অসমীয়া জাতি বর্ত্তি থাকিব খুজিলে প্রতিজন অসমীয়াই আন জনব লগত একাস্তভাবে মিলি থাকিব লাগিব।" লিখকে এই উদ্দেশ্য লৈয়ে উজনি নামনিব মাজত যি ভাষাবৈষম্য তাব মাজেদি প্রত্যেকব দোষ ক্ষালনব চেষ্টা কবিছে তেওঁব চেষ্টা সফল হৈছে। নাটকখনিব প্রত্যেকটো চবিত্র মনোহব হৈছে। বর্ত্তমানে আমাব অসমীয়া ভাষাত স্থলব সবাই কবিবপবা নাটকব বব অভাব।

'মকতমা'ই এই অভাৱ বহুত অংশে পূৰণ কৰিব। লিখকৰ পৰা এনে আৰু দুই চাৰিখন নাটক আশা কৰোঁ।

মুৰ্খ-শতক—সম্পাদক শ্ৰীযুত জনার্দন আচার্য্য, ব্যাকৰণ তীর্থ, ব্যাকৰণশাস্ত্রী, সাহিত্য-ভূষণ। বেচ তিন অনা।

আলোচ্য পুথিখনিৰ মূল সংস্কৃত, বর্ত্তমানলৈকে ভাৰতৰ কেবাটাও প্রাদেশিক ভাষাত অনূদিত হৈছে। শ্ৰীযুত আচার্য্য দেৱেও আমাৰ অসমীয়া ভাষাত প্রকাশ কৰা বাবে তেওঁ সকলোৰে ধন্যবাদৰ পাত্র। এনে এখনি আৱশ্যকীয় কিতাপ অসমীয়া সাহিত্যত থকাটো অতি বাঞ্ছনীয়। তাতোকৈ সুখৰ কথা, লিখক এজন সংস্কৃতজ্ঞ পণ্ডিত। আজি বৰ দুখেৰে কব লগীয়াত পৰিছে যে আমাৰ অসমৰ সংস্কৃত জনা পণ্ডিত সকলে সংস্কৃত শিকি অসমীয়া যে মাতৃভাষা, এই কথা তেওঁলোকৰ বহুতে পাহৰি যায়, আৰু অতি কমেহে অসমীয়া ভাষা-সাহিত্য চর্চ্চা কৰে। আন আন প্রদেশৰ এই পণ্ডিত সকলে সংস্কৃত শাস্ত্রৰ অতুল বত্নৰাজি নিজৰ ভাষালৈ কণাস্তৰিত কৰি মাতৃভাষা চহকী কৰিছে, অসমীয়া পণ্ডিত সকলে এতিয়াও এই বিষয়ত পাছ পৰি আছে। আমাৰ আলোচ্য কিতাপৰ লিখক আচার্য্যদেৱে সেই ৰীতি এৰি অসমীয়া সাহিত্য চর্চ্চাত মনোযোগী হোৱা বৰ আনন্দৰ কথা কৈছে। আশা কৰা যায়, তেওঁৰ দৰে অসমীয়া আন সংস্কৃতজ্ঞ পণ্ডিতসকলে এই বিষয়ত যত্নবান হব। 'মূর্খ-শতক' কিতাপখনিয়ে অসমীয়া বাইজৰ পৰা সকলো প্রকাৰে সহানুভূতি পোৱা উচিত।

নৱৰত্ন—১৭০ পিঠিৰ কিতাপ। দাম এটকা। লিখক শ্ৰীযুত যোগেশৰ শর্ম্মা বি-এ, বি-টি। প্রকাশক, ৰঙকটকী কোম্পানী, যোৰহাট। ৫২৫৯/অ:

এই পুথিখনিত লিখকে মহাকবি কালিদাস, ভৱভূতি, হর্ষদেৱ, শূদ্রক, ভাস আৰু বাজশেখৰ এই ছজনা অমৰ কবিৰ নখন পৃথিবীৰ বিখ্যাত শ্রেষ্ঠতম, নাটকৰ ঘটনাৱলী গল্পৰ আকাৰে প্রকাশ কৰিছে। সংস্কৃত সাহিত্যৰ এই অপূর্ব্ব বত্নৰাজিৰ লগত সকলো শিক্ষিত মানুহৰে পৰিচয় থকা উচিত, কিন্তু সংস্কৃত সাহিত্য মন্থন কৰি সেই বত্নৰাজি উদ্ধাৰ কৰা সংস্কৃত নজনা মানুহৰ পক্ষে সহজ নহয়। সেই অসুবিধা দূৰ কৰিবলৈ 'নৱৰত্ন' লিখকে হাতত লোৱাত তেওঁ আমাৰ ধন্যবাদৰ পাত্র। শ্ৰীযুত শর্ম্মা ডাঙৰীয়াৰ ইতিপূর্ব্বেই অসমীয়া শিশু সাহিত্য লিখক হিচাপে বাইজৰ মাজত পৰিচিত হৈছে। আমাৰ আলোচ্য কিতাপত, ঠায়ে ঠায়ে বাক্যবোৰ অলপ জটিল হলেও গল্প কেইটিৰ লিখন-ভঙ্গী বৰ উপাদেয় হৈছে। অসমীয়াত এনে মনোৰঞ্জক গল্প পঢ়ি, সংস্কৃতৰ সম্পূর্ণ নাটক কেইখনি পঢ়িবলৈ পাঠকসকলৰ মনত ধাউতি বাঢ়িব, ই নিশ্চয়। শর্ম্মা ডাঙৰীয়াৰ পৰিশ্রম সার্থক হৈছে। আমি তেওঁৰপৰা এনে আন আন কিতাপ পঢ়িবলৈ আশা কৰোঁ।

আমাৰ বিশ্বাস, প্রত্যেকটো গল্পৰ আগতে বেলেগকৈ একোটি প্রৱন্ধত প্রতিজনা কবিৰ অলপ পৰিচয় দিয়া হলে কিতাপখনিৰ সম্পদ আৰু বাঢ়িলহেঁতেন।

গুণগুণ—লিখক শ্ৰীযুত ঘনশ্যাম চলিহা। বেচ দু-অনা। তৰুণ কবি শ্ৰীযুত পার্ব্বতীপ্রসাদ বৰুৱা বি-এ ডাঙৰীয়াৰ ভূমিকাবে সৈতে প্রকাশিত। 'গুণগুণ' এখনি কবিতাৰ পুথি—সর্ব্বমুঠ ১২টি কবিতাৰ সমষ্টি। পুথিখনৰ সৌন্দর্য্যসম্পর্কে আমাৰ যথেষ্ট কব লগীয়া আছে। ভাৰৰ উচ্চতা বা বিষয়বস্তুৰ শ্রেষ্ঠতা যিমানেই নহক, পাঠকৰ সাধাৰণতঃ কিতাপৰ বাহ্যিক অবয়ৱলৈ চকু পৰে আৰু ভিতৰবিদ্যমান সম্পদশালী নহক, বাহিৰত চকুত লগা নহলে তেনে কিতাপে পাঠক শ্রেণীক আকর্ষণ কৰা টান। প্রকাশকে ইচ্ছা কৰিলে 'গুণগুণ'খনিক দেখাত মূল্য-তালিকাতকৈ অলপ ভাল কৰিব পাৰিলে হেঁতেন। ছপা, কাকত, চিয়াহী আদি সকলোখিনিয়ে কিতাপখনক সৌন্দর্য্যহীন কৰি পেলাইছে, বিশেষকৈ চিয়াহীৰ দোষত আগবঢ়োৱা বৰ অস্পষ্ট হৈ পৰিছে আৰু অলপ পৰ পঢ়িলেই দৃষ্টিশক্তি ব্যাঘাত জন্মে। অৱশ্যে কেৱল 'গুণগুণে' ই নহয়, বহুতো অসমীয়া কিতাপেই এনে দোষত দূষিত।

ভূমিকা-লিখকে লিখিছে 'গুণগুণ'ত ভাষাতকৈ ধ্বনি বেছি, সেই কাৰণেই ইয়াত ব্যাখ্যাতকৈ ব্যঞ্জনা সবহ।" প্রকৃততে ধ্বনি (suggestiveness) কবিতাৰ এটি প্রধান অঙ্গ, আৰু যি ভাবক ভাষাত স্পষ্টকৈ প্রকাশ কৰা নহয়, তাক এই ধ্বনিয়ে প্রকাশ কৰে। 'গুণগুণ'ৰ কবিতাবোৰ কবিতাৰ গুণগুণনি হব পাৰে, কিন্তু তাৰ অস্পষ্টতা, ধ্বনিৰ মাজেদি ফুটি উঠা নাই। বেছিভাগ কবিতাতে এই অস্পষ্টতা অর্থহীনতা স্বৰূপে ফুটি ওলাইছে। শব্দৰ মাধুর্য্য আৰু ছন্দৰ লালিত্য কবিতাৰ আন এটি আৱশ্যকীয় গুণ। আমাৰ আলোচ্য কিতাপখনিৰ বেছিভাগ কবিতাত ছন্দৰ মিল বাখি বাছকৰনীয়া শব্দ ব্যৱহাৰ কবিবলৈ যাওঁতে ভাৰৰ সোঁত বহুত দুবলৈ গৈছে। লালিত্যপূর্ণ শব্দ গাঁথনিতেই কবিতাৰ উৎকৃষ্টতা নহয়, ভাৰৰ বহুল নহলে সি মাথোন নিৰর্থক বাক্য-বিন্যাসহে পৰিণত হয়।

কিন্তু সেই বুলিও 'গুণগুণ'ৰ কবিৰ এই অস্পষ্ট গুণগুননিৰ মাজেদি তেওঁৰ বচনাশৈল্পীয়া যথেষ্ট প্রকাৰে প্রকাশ নোহোৱাকৈ থকা নাই। আৰু আশা কৰা যায়, কালক্রমে এই গুণগুননিয়ে পাঠক সমাজক মনোৰঞ্জন কৰিবলৈ সক্ষমহব।

৭, বিদ্যাসাগৰ ষ্ট্রীট, কামৰূপ প্রেচত শ্রীঅপূর্ব্ব কুমাৰ ভূঞা দ্বাৰা মুদ্রিত, ডাঃ দীননাথ শর্ম্মা দ্বাৰা প্রকাশিত।

৫২৫২/অ: ১০. ৮. ৯৯

আৱাহন



দেশভক্ত—শ্রীযুত তৰুণ ৰাম ফুকন

৫২৫২/অ:



৩য় বছর ৪র্থ সংখ্যা | আব্বাহন | মাঘ ১৮৫৩ শক

পুৰণি পুথিত সংস্কৃত বিহুগীত

—শ্রীযুত সর্ব্বেশ্বৰ শর্ম্মা কটকী

ৰতিপতিসদনং জলহকৰদনং
তদুজ্জিত কনকবিকাৰম্,
ঘনকুচ কলসং পৰিলসদলসং
কলদন্থু * * *
মৃত্যতি ললিতং হৰিগুণ বলিতং
গায়তি বিহুবিলাসম্,
কলিত সুবচনং মুখৰিত বসনং
নটিপটলমৃদুহাসং,
তৰলদৃগমলং চলকৰকমলং
কোকিল কলৰব ৰাবম্,

কচিৰাপঘণং মৃদুঘনজঘনং
যুবজন মোহন ভাবম্,
ভূষণ লসিতং ৰসভৰৰসিতং
চৰণ বলিত মঞ্জীৰম্,
গায়ন ভণনং শ্রুতিসুখজননং
মনসিকলয়দতিবেলম্,
সুৰজ সুৰগীতং তান ধূমি
বিৰচিত বহুবিধ খেলম্,
শ্রীকন্দ্রসিংহ ধৰণিপতিসিংহ
নিরূপম বচন সমাজে,
ইদমণি গানং হৰিগুণভানং
শুনুত ভণিত কবিৰাজে ॥

ওপৰত দিয়া সংস্কৃত বিহুগীতটি উত্তৰ গুৱাহাটী আউনী-আটি সত্ৰত থকা এখন পুৰণি গীতৰ পুথিৰ পৰা উদ্ধৃত কৰি প্ৰকাশ কৰা হৈছে। এই গীতৰ পুথিত সংস্কৃত, হিন্দী, মৈথিলী, বঙলা আৰু অসমীয়াৰ বিবিধ গীত আছে। মহাৰাজ ৰুদ্ৰসিংহৰ দিনত কবিৰাজ চক্ৰবৰ্ত্তী নামে এজন কবিয়ে সংস্কৃত বিহু-উৎসব বৰ্ণনা কৰি এই গীত ৰচনা কৰিছিল। মাধৱী উৎসব বা বসন্ত উৎসবৰ প্ৰাচীন গীতৰ লালিত্যৰ লগত এই গীতৰ লালিত্যৰ সাদৃশ্য আছে। দেৱ-ভাষা সংস্কৃতত অসমীয়াৰ জাতীয় বিহু-উৎসবৰ বৰ্ণনা থকাত ভাৰতীয় অন্যান্য জাতিৰ মাজত ই সুকলমে প্ৰচলন হব পাৰিছিল। গীত থকা গোটেইখন পুথিৰ বৰ্ণনা বাবু তাৰকেশ্বৰ ভট্টাচাৰ্য্যদেৱে ১৩৩৬ চনৰ 'প্ৰবাসী'ত প্ৰকাশ কৰিছে আৰু এইবাৰৰ সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ অধিবেশনত শ্ৰীযুত সোণাৰাম চৌধুৰীদেৱেও এই পুথিৰ কথা উল্লেখ কৰিছে। আমি ভোগালি মাঘবিহুৰ এই সংস্কৃত বিহুগীতেৰে ওলগ জনালোঁ।

বৰ-আসাম আৰু বুৰঞ্জীৰ বাণী

—অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা, এম-এ, বি-এল

মানুহে কয় 'বৃহত্তৰ আসাম'। মোৰ কিন্তু ভাল নালাগে। সেইদেখি 'বৰ-আসাম' লিখিলোঁ। ৰাইজে ক্ষমা কৰিব। 'বৃহত্তৰ আসাম' বা 'গ্ৰেটাৰ আসাম' মানে যি 'বৰ-আসাম' মানেও সেই। কৰতোয়াৰ পৰা আৰম্ভ কৰি শদিয়া পৰ্য্যন্তে যি ৰাজ্য-খণ্ডৰ ওপৰত একালত ভগদত্ত নৃপতিৰ গজধ্বজা উৰিছিল, বৰ্ত্তমান আসাম উপত্যকা, ভুটান, ৰংপুৰ, কোচবিহাৰ, মৈমনসিংহৰ উত্তৰ-পূব অঞ্চল আদি যাৰ অন্তৰ্ভুক্ত আছিল, 'বৰ-আসাম' মানে সেই ৰাজ্যকে বুজোৱা হৈছে; নামযাৰ অসমীয়া। বাই-ভনী, চহা-গাৱঁলীয়া, শিক্ষিত-অশিক্ষিত সকলোৱে বুজি পাব সেইদেখি 'বৰ-আসাম' শব্দ ব্যৱহাৰ কৰিলোঁ।

খৃষ্টীয় দ্বাদশ শতাব্দিত বৰ-আসামৰ বিলৈ আৰম্ভ হল। সুবিস্তীৰ্ণ কামৰূপ সাম্ৰাজ্য ডোখৰা-ডোখৰ হোৱাত ঠায়ে ঠায়ে সৰু সৰু ৰজা আৰু ৰজা-পোৱালিৰ আবিৰ্ভাব হল। মানাহা নৈৰপৰা আৰম্ভ কৰি কৰতোয়া পৰ্য্যন্ত ৰত্নপীঠ নামক ৰাজ্য-খণ্ড ৰাজ্য-উত্থান-পতনৰ লীলাভূমি হবলৈ ধৰিলে। ইয়াৰ কাৰণ পাঠান, তুৰস্ক আৰু মোগল ক্ষমতাৰ ভাৰতৰ পূৰ্ব্বপ্ৰান্তত ক্ৰমান্বয়ে বিস্তৃতিলাভ। ত্ৰয়োদশ শতাব্দিত কমতা ৰাজ্য স্থাপিত হৈ ক্ৰমে প্ৰতিপত্তি লাভ কৰিবলৈ ধৰিলে, কমতেশ্বৰ দুৰ্লভেন্দ্ৰনাৰায়ণ ৰজাৰ পৃষ্ঠপোষকতাত অসমীয়া কবিয়ে বিচিত্ৰ কাব্য ৰচনা কৰিলে। খৃষ্টীয় পঞ্চদশ শতিকাৰ শেষ ভাগত কমতাধিপতি নীলাম্বৰে আলাউদ্দিন হুচেইন শ্বাহৰ ছল-চক্ৰান্তত পৰি ৰাজ্য হেৰুৱাত কতমাৰ ক্ষমতা লোপ পালে। হুচেইন শ্বাহে "কমতা আৰু কামৰূপ দিগ্বিজয়ী চুলতান" খিতাপ লৈ মোহৰ মাৰিবলৈ ধৰিলে। এই নকৈ বিজিত ৰাজ্যত খোপনি পুতি বিদেশীয়ে মানাহা পাৰ হৈ ঘাই-আসামত সোমাবৰ যো-জা কৰিলে। ১৫৩২ খ্ৰীষ্টাব্দত গৌড় চুলতানৰ বংশী তুৰ্ব্বক নামে এজন পুৰুষে মানাহ চেৰাই কলীয়াবৰ পৰ্য্যন্ত খেদি সোমাল। ইতিমধ্যে সৌমাৰ পীঠত ৰাজ্য স্থাপন কৰি আহোম শক্তিয়ে ক্ৰমান্বয়ে কামপীঠ স্বৰ্ণপীঠত প্ৰভুত্ব বিস্তাৰ কৰিলে। পূবৰ পৰা পশ্চিমলৈ বাঢ়ি অহা আহোম-শক্তি, আৰু পশ্চিমৰ পৰা পূবৰ ফালে হেচি সোমাব খোজা বিদেশী শক্তি, এই দুয়োৰো মাজত সংঘৰ্ষণ লাগিল। তুৰ্ব্বকৰ

সৈন্যৰ লগত অসমীয়া সৈন্যৰ দুবছৰ ধৰি নানা ঠাইত যুদ্ধ-বিগ্ৰহ চলিবলৈ ধৰিলে। ভৰলীৰ যুদ্ধত তুৰ্ব্বকৰ সৈন্য পৰাস্ত হল। অসমৰ সেনাপতি আছিল কন্‌চেং বৰ-পাত্ৰ গোহাঁই। এই ৰণতে ফাচেংমুং বৰগোহাঁইৰ মৃত্যুৰ পাচত তেওঁৰ পত্নী মূলা গাভৰুৱে হাতীত উঠি যুদ্ধ কৰিছিল অসমীয়া সৈন্যৰ হাতত তুৰ্ব্বক আৰু তেওঁৰ প্ৰধান সেনাপতি হুচেইন খাঁই প্ৰাণ হেৰুৱালে। কন্‌চেং বৰপাত্ৰ-গোহাঁই ডাঙৰীয়াই কৰতোয়া নৈলৈকে বিদেশী আক্ৰমণকাৰীক মাৰি-কাটি খেদি নি তাৰ পানীত অস্ত্ৰ ধুই তাতে সীমা পাতি দৌল-পুখুৰী কৰি চিন ৰাখিলে। তাৰে পৰা গৌড়েশ্বৰৰ লগত অসমৰ মিত্ৰতা হল। এই দিগ্বিজয়ৰ আপাহ স্বৰূপে উৰিষ্যাৰ ইন্দ্ৰদ্যুম্ন ৰজাৰ বংশী পুৰুষোত্তমৰ বেটা জগন্নাথ গোসাঁইৰ সেৱক বিক্ৰমসেন ৰজাৰ জৰীয়তে চুহুম্মুং দিহিঙ্গীয়া স্বৰ্গদেৱে পুৰীত পুখুৰী খানি ইটাৰ পাৰ বান্ধি উছৰ্গা কৰাই দান-দক্ষিণা কৰিলে।

সেইদৰে ৰত্নপীঠত বিদেশীৰ প্ৰতিপত্তি টুটি আহিল। হাৰিয়া মণ্ডলৰ পুতেক বিশ্বসিংহই কমতা ৰাজ্যৰ ঠাইত নতুন ৰাজ্য স্থাপন কৰিলে,নাম হল কোচবেহাৰ। কিন্তু বহুত দিনৰ পাচলৈকে কোচবেহাৰৰ নৃপতিসকল কমতাধিপতি বুলি অভিহিত হৈছিল। বিশ্বসিংহ আৰু তেওঁৰ পুতেক নৰনাৰায়ণ ৰজাৰ দিনত কোচান আৰু আহোমৰ সংঘৰ্ষণ হৈছিল। চিলাৰায়ৰ পুতেক ৰঘুদেৱ আৰু ৰঘুদেৱৰ পুতেক পৰীক্ষিত নাৰায়ণ, এওঁলোক দুজনৰ দিনত গুৱাহাটীলৈকে কোচৰ সীমা ধাৰ্য্য হৈছিল। সোণকোষ নদীৰ পূবে থকা ৰাজ্যৰ নাম কোচ-হাজো আৰু পশ্চিমে কোচবেহাৰ। কোচবেহাৰৰ অধিপতি লক্ষ্মীনাৰায়ণ। মোগল বাদশ্বাহ আকবৰৰ দিনত কোচবেহাৰ মোগলৰ শাসনাধীন হল। কিন্তু,কোচ-হাজো পৰীক্ষিতৰ তলত স্বাধীনভাবে প্ৰৱৰ্ত্তিবলৈ ধৰিলে। পৰীক্ষিতৰ লগত মোগলৰ যুদ্ধ হল, সেই যুদ্ধৰ ফল স্বৰূপে কোচ-হাজো মোগলৰ তলতীয়া হল। ইয়াৰ পাচত মোগল আৰু আহোমৰ নানান যুদ্ধবিগ্ৰহ হোৱাত কোচ-হাজোত মোগলৰ ক্ষমতা ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিলে। ১৬৩৫ খৃষ্টাব্দত গোটেই কোচ-হাজো আহোমে অধিকাৰ কৰিলে। আহোম আৰু মোগলৰ পুনৰ যুদ্ধ আৰম্ভ হল। তাৰ ফলত ১৬৩৯ খৃষ্টাব্দত আহ্লায়াৰ খাঁ আৰু মোমাই-তামুলী বৰবৰুৱাৰ মাজত হোৱা সন্ধিসূত্ৰে কোচ-হাজো পুনৰ মোগলৰ তলতীয়া হল। কোচ-হাজোত মোগল শাসনকৰ্ত্তাই নিজে শাসন কৰিবলৈ ধৰিলে, আৰু কোচ-বেহাৰত মোগলৰ কৰতলীয়াভাবে লক্ষ্মীনাৰায়ণ আৰু তেওঁৰ সন্ততিসকলে ৰাজত্ব কৰিলে।

অসমীয়াই বসতি কৰা ৰত্নপীঠ ৰাজ্যখণ্ড ঘাই-অসমৰ পৰা ভৌগোলিক হিচাবে আঁতৰি পৰাতো তাৰ ৰজাসকলে অসমীয়া বুলি কীৰ্ত্তি-কলাপে চিনাকী দিছিল।

মহাৰাজ নৰনাৰায়ণ আৰু তেওঁৰ ভায়েক চিলাৰায় দেৱানে বৰ-আসামক একে শাসনৰ ডোলেৰে বান্ধিবলৈ চেষ্টা কৰিছিল। অসম, কছাৰী, মণিপুৰ, জয়ন্তা, ত্ৰিপুৰা, শ্ৰীহট্ট, খৈৰামি, ডিমৰুৱা, এই ৰাজ্যবোৰ বশ কৰি বৰ-আসামক আৰু বহল কৰিবলৈ গৌড়ৰ লগতো যুদ্ধ কৰিছিল। কিন্তু, চিলাৰায়ৰ মৃত্যুৰ পাচত এই ৰাজ্য-সমষ্টি একছত্ৰৰ তলত সৰহকাল তিষ্ঠিব নোৱাৰিলে। মহাৰাজ নৰনাৰায়ণে সাহিত্য আৰু ভাষাৰ ডোলেৰে সুবিস্তীৰ্ণ বৰ-আসামক বান্ধি থৈ গৈছে। মহাপুৰুষ শঙ্কৰদেৱৰ দ্বাৰা 'ভাগবত' আৰু কবিবৰ ৰামসৰস্বতীৰ দ্বাৰা 'মহাভাৰত' অনুবাদ কৰাই স্ত্ৰী আৰু শূদ্ৰৰ মাজতো কাব্যৰস পান কৰিবলৈ সম্ভাৰ দি চিৰকাললৈ বৰ-আসামৰ ভেটি সুদৃঢ় কৰি গল। ৰাজনৈতিক আৰু ভৌগোলিক সূত্ৰে বৰ-আসামৰ ঐক্যবান্ধন ছিগি গলেও এই খিলঞ্জীয়া সাহিত্যৰ গ্ৰন্থী কেতিয়াও ছিগিব নোৱাৰে। ইয়াৰ বাহিৰেও কামাখ্যাৰ মন্দিৰ- নৰনাৰায়ণ আৰু চিলাৰায়ৰ, আৰু হাজোৰ মাধৱৰ মণিকূট ৰঘুদেৱৰ কীৰ্ত্তি।

প্ৰাচীন কামৰূপ ৰাজ্য ছিন্ন-বিচ্ছিন্ন হোৱাৰ পাচত বৰ-আসামক একেলগ কৰিবৰ প্ৰথম চেষ্টা কৰিছিল মহাৰাজ নৰনাৰায়ণে। কিন্তু কালৰ বিক্ৰমত ১৬৩৯ খ্ৰীষ্টাব্দত সেই বৰ-আসামত তিনিতৰপীয়া শাসনৰ সূচনা হল।—প্ৰথম, ঘাই-আসামত স্বাধীন আহোম ৰাজত্ব; দ্বিতীয়, কোচ-হাজোত মোগলৰ শাসন; আৰু তৃতীয়, কোচবেহাৰত বেহেৰুৱা ৰজাৰ মোগলৰ কৰদ-মিত্ৰ ৰাজত্ব।

১৬৪৮ খৃষ্টাব্দত জয়ধ্বজসিংহ স্বৰ্গদেৱে সিংহাসনত উঠি দেখিলে যে সোণৰ সঁকুৱা ওৱাহাটী ৰাজ্যত বিদেশীৰ সদর্প পদাঙ্ক। শাহজাহান বাদশাহৰ নবিয়া অৱস্থাত পুতেকহঁতৰ মাজত হোৱা খোৱা-কামোৱাৰ ছেগ লৈ জয়ধ্বজসিংহ স্বৰ্গদেৱে কোচ-হাজোৰ পৰা মোগলক খেদাবলৈ সৈন্য পঠিয়ালে। সেইদৰে কোচবেহাৰৰ ৰজা প্রাণনাৰায়ণে মোগলৰ অধীনত থাকিবৰ অনিচ্ছাসত্ত্বে হে ওৱাহাটীৰ ফালে ভৱনাথ কাৰ্জ্জি নামে সেনাপতিৰ তলে সৈন্য পঠিয়ালে। ওৱাহাটীৰ মোগল ফৌজাদাৰ লুৎফুল্লা ছিবাজী ছমোপিনৰ শত্রুৰ হেচা সহিব নোৱাৰি ঢাকালৈ পলাই গল। তাৰ পাচত আসাম আৰু ভৱনাথ কাৰ্জ্জিৰ যুদ্ধ লাগিল। ভৱনাথ পৰাস্ত হল। জয়ধ্বজসিংহ স্বৰ্গদেৱ কোচ-হাজোৰ অধিপতি হল। ইয়াতে সন্তুষ্ট নাথাকি জয়ধ্বজসিংহ স্বৰ্গদেৱে সৈন্য পঠাই মানাহাৰ সিপাৰৰ ঢাকাৰ সমীপবর্ত্তী হাতীডলালৈকে গোটেই ৰাজ্য উদ্ধাৰ কৰি অসংখ্য মোগল প্রজা অসমলৈ ধৰি আনিলে, বৰ-আসাম উদ্ধাৰ কৰাৰ এয়ে দ্বিতীয় চেষ্টা। ১৬৫৭ খ্রীষ্টাব্দত জয়ধ্বজসিংহ স্বৰ্গদেৱ স্বর্গী হোৱাহেতেন তেওঁ এজন পৰাক্রমী বীৰপুৰুষ বুলি অসমীয়াৰ চিৰ-আদৰণীয় হৈ থাকিলহেতেন।

কিন্তু কালৰ গতিত জয়ধ্বজসিংহ স্বৰ্গদেৱ "ভগনীয়া ৰজা" বুলি বুৰঞ্জীত প্রসিদ্ধ হল। সিংহাসনত গজগজীয়াকৈ বহি আওবাংজেব্ পাদশাহে মীৰজুমলা নবাবক অসম আক কোচবেহাৰৰ বিৰুদ্ধে পঠালে। অসমীয়াৰ ভিতৰত আন্তঃ আক আত্মকলহ উপস্থিত হল। মানাহাৰপুখ, পাণ্ডু, ওৱাহাটীত থকা আহোম সেনাপতিসকলে কিবা কাৰণত ঠেহ পাতি যুদ্ধলৈ মন এৰি উজাই যাবলৈ ধৰিলে। এই ধিনিতে বুৰঞ্জী-লিখকে আক্ষেপ কৰি কৈছে, "কাণ্ড-কাঁঠাও মাৰোঁতা নহল পাণ্ডু-শবাইঘাটত।" চামধৰা বা তেজপুৰৰ ফুলোপাৰে অসম আক মোগলৰ ভীষণ যুদ্ধ লাগিল। মোগল সৈন্য বিজয়ী হৈ ক্রমাগ্রয়ে উজাই গৈ ১৬৬২ খৃষ্টাব্দৰ মাৰ্চ্চ মাহত গড়গাওঁ অধিকাৰ কৰিলে। ইতিমধ্যে জয়ধ্বজসিংহ ৰজাই বিদেশী অহা গম পাই নগৰব পৰা পলাই নামকপলৈ গল। তাতে থাকি দিহা-পোহা উৎসাহ-উলাগি দি মোগলৰ বিৰুদ্ধে যুদ্ধ পৰিচালনা কৰি সাৱশেহত সন্ধিস্থাপন কৰি মীৰজুমলা সৈন্যে ৰাজ্যৰ পৰা সম্প্রতিকলৈ আঁতৰাই পঠালে। তথাপি যুদ্ধৰ প্রথম অৱস্থাত ৰাজ্যক দলনিত পোনা মেলি পলাই মোৱাৰ কাৰণে জয়ধ্বজসিংহ স্বৰ্গদেৱে "ভগনীয়া ৰজা" বুলি অপবাদ দুজি আহিছে।

১৬৬৩ খৃষ্টাব্দৰ আদিতে অসম আক মোগলৰ সন্ধি হয়। সেই সন্ধিমতে প্রকৃতপ্রস্তাৱে ১৬৩৯ খৃষ্টাব্দৰ সীমাকে পুনৰ ধার্য্য কৰা হল, অর্থাৎ ওৱাহাটী সমন্বিতে মানাহাৰলৈকে গোটেই ৰাজ্য মোগলৰ তলতীয়া হল। স্বর্গদেৱৰ কন্যা ৰমণীগাভৰু আক টিপাম ৰজাৰ জীয়েকক মোগল অন্তঃপুৰলৈ দিয়া হল; আক হাতী আক টকাৰ পেছকছ দিবলৈ অসম ৰজাই গাত ললে। লাজ-অপমান-শোকত নিৰন্তৰে চকুপানী টুকি ১৬৬৩ খৃষ্টাব্দৰ নভেম্বৰ মাহত জয়ধ্বজসিংহ স্বর্গদেৱে ইহলীলা সম্বৰণ কৰিলে। চক্রধ্বজ সিংহ সিংহাসনত উঠি মোগলক পেছকছ দিয়াত বংসামান্য হীনডেবি হোৱাত মোগল কর্ম্মচাৰীৰ বৰবৰা শুনিব লগাত কৰলৈ ধৰিলে, "বঙালৰ অধীন হই থাকিবতকৈ মৰণেসে উচিত"। স্বর্গদেৱে বহু প্রবন্ধে সৈন্য-সামন্ত শিকাই-বুজাই লাচিত ফুকনক সেনাপতি পাতি ওৱাহাটী ৰাজ্য উদ্ধাৰ কৰিবলৈ পঠিয়ালে। অসমীয়া সৈন্য আক সেনানায়কৰ যুদ্ধবিক্রমৰ ফলস্বৰূপে মানাহাৰলৈকে এই সমস্ত ওৱাহাটী ৰাজ্য পুনৰ উদ্ধাৰ হল, খৃঃ ১৬৬৭, আগষ্ট। দেশপ্রেমিক ক্ষত্রমূপতি চক্রধ্বজ সিংহ স্বর্গদেৱে এইবাৰ আনন্দত উল্লসিত হৈ কলে, "এতিয়াহে মই সুখে ভাত এগৰাহ খাওঁ"। স্বর্গদেৱ চক্রধ্বজসিংহৰ এই দুই বাঁহী অসমীয়াৰ শৌর্য্য-বীর্য্য-দেশপ্রেম-স্বার্থত্যাগ-বণকৌশল আদি বিবিধ পাবিজাত কুসুমৰ মালাবে সংযুক্ত দুটি সুৱর্ণ স্তম্ভস্বৰূপ।

ভাৰতৰ পূর্ব্বসীমান্ত অসমত মোগল প্রভাৱ ক্ষণিকতে নির্ব্বাপিত হোৱাত আউবংজেব্ পাদশাহে ৰাজপুত বীৰ অধৰাধিপতি ৰামসিংহ ৰজাক অসম-বণলৈ পঠিয়ালে। বীৰত্বৰ বৰমালা নিপ্রভ নোহোৱাকৈ চক্রধ্বজ সিংহৰ মৃত্যু হল। তেওঁৰ পৰবর্ত্তী উদয়াদিত্য সিংহৰ দিনত

ৰবাইঘাটৰ যুদ্ধত ৰামসিংহৰ অসংখ্য সেনাবাহিনী অসমীয়াৰ হাতত পৰাস্ত হল, খৃঃ ১৬৭১। এই যুদ্ধৰ দিনচাৰেকৰ পাছতে লাচিত ফুকনৰ মৃত্যু হয়। ৰামসিংহই ধুবুৰীৰ সমীপবর্ত্তী মোগলৰ থানা ৰঙামাটিত থাকি পাঁচ বছৰ ধৰি পুনৰ অসম আক্রমণৰ চেষ্টাত তিয়াৰ হৈ আছিল। সেই আশঙ্কাত অসমৰ চতুৰ মন্ত্রী আক বীৰপুৰুষসকল ওৱাহাটীতে গড়প্রাজ্ঞি কবি সষ্টম হৈ থাকিবলৈ বাধ্য হোৱাত উজনিৰ গড়গাওঁ চৰবপনি উচ্চাভিলাষী স্বার্থান্ধ বিষয়াৰ চক্রান্তৰ লীলাক্ষেত্র হৈ পৰিল। আজি এজন ৰজা সিংহাসনত, দুদিনৰ পাচত তেওঁৰ হত্যা, তাৰ পাচত আন এজন নিশকতীয়া ৰজা, কুচক্রী বিষয়াৰ হেংদানৰ প্রকোপত ৰজা-প্রজা কাৰো জীৱনৰ স্থিৰতা নাই। গড়গাওঁৰ কথা শুনি মানুহ তল যাবলৈ ধৰিলে। ৰজাৰ কোঁৱৰসকল প্রাণৰ ভয়ত দিহিঙ্গে-দিপাঙ্গে পলাল। বীৰৰ লাচিত ববফুকনৰ ককায়েক লালুক-সোলা ববফুকনে মোগলৰ সহায়েৰে অসমৰাজ্যৰ অধিকাৰী হবৰ অভিপ্রায়ে ঘোৰো দুর্গম ওৱাহাটীৰ গড় মোগলৰ সেনাপতি মথুৰ খাঁক বিনাযুদ্ধে এৰি দিলে, ১৬৭৯ খৃঃ, ২৭ ফেব্রুৱাৰী।

ওৱাহাটী ৰাজ্যখন বঙালৰ বুকুত মিত্রভাৱে সমর্পণ কৰি লালুক বুঢ়াফুকনে গড়গাঁৱৰ লৈ গৈ স্বয়ংকপে প্রৱর্ত্তিব ধৰিলে। চুঁদেকা পৰ্ব্বতীয়া ৰজাক হত্যা কৰি লালুক বুঢ়াফুকনে দ্বৈধ্য-বহুবীয়া চামগুৰীয়া কোঁৱৰক আনি সিংহাসনত বহুৱালে, নাম হল চুলিকফা ৰত্নধ্বজ সিংহ বা নৰাৰজা। নিজৰ পাঁচ-বছৰীয়া কন্যাক ৰজাৰৈ বিয়া দি বুঢ়াফুকনে নিজৰ প্রভুত্ব আক ক্ষমতা বঢ়োৱাৰ পথ সুগম কৰি ললে। নিজৰ বাঢ়ি অহা বাহুশক্তিৰ প্রধান অন্তৰায় গদাপাণি কোঁৱৰক বুঢ়াফুকনে বধিবৰ মন কৰি বিচাৰি নেপাই কোঁৱৰৰ ভার্য্যা সতী জয়মতীক চাউদাঙৰ হকুৱাই শাস্তি দি বধ কৰিলে। ফুকনীয়া লৰা সিংহাসনত, তাতে বুঢ়াফুকনৰ জোঁৱাই, সাতঘাউৰ সৈয়াকণী লালুক বুঢ়াফুকনৰ কার্য্যত লৰাৰজাই হেতা-ওপৰা কৰাটো আশাতীত।

সতী নাৰীৰ শোণিতেৰে মাতৃভূমি ৰঞ্জিত হোৱাত বিষয়াসকলে চেতনা লাভ কৰিলে। নগণ্য শইকীয়া ভোটাই ডেকা আক মাধৱ তামুলীয়ে বুঢ়াফুকনক নিজ ঘৰতে বাতি খুচি মাৰিলে। ওৱাহাটী হল মোগল ফৌজাদাৰ মথুৰ খাঁৰ প্রাদেশিক ৰাজধানী। অসমীয়া সেনাপতি আক অন্যান্য বিষয়াসকল কলীয়াবৰত গোট খাই ৰাজ্য ৰক্ষাৰ উপায় চিন্তিলে। সেই মেললৈ গড়গাঁও বিষয়াসকলকো মাতি অনা হৈছিল। ছৱাৰত বিদেশীয়ে খুন্দিয়াব ধৰিছে, ভিতৰত অনৈক্য আক অশান্তি, এনে অৱস্থাত "অসামর্থ ৰজায়ে ৰাজ্য ৰক্ষা কৰিব কেনেকৈ?"—এটি মেলৰ আলোচ্য বিষয়। গদাপাণি কোঁৱৰৰ পৰাক্রমৰ কথা আগেয় জনা আছিল। তেওঁকে আনি ১৬৮১ খৃষ্টাব্দৰ আগষ্ট মাহত কলীয়াবৰতে ৰজা পাতি বিষয়াসকলে গড়গাঁৱলৈ উজাবলৈ ধৰিলে। সিংহাসনত যথানিয়মে গদাধৰ সিংহ ৰজা অধিষ্ঠিত হল। ন-জনা ৰজাৰ আজ্ঞাবে লৰাবজাক বধ কৰা হল।

সিংহাসনত উঠি গদাধৰ সিংহই ৰাজক্ষমতা সুদৃঢ় কবি লৈ ওৱাহাটী উদ্ধাৰ কৰিবৰ মনেবে সৈন্য পঠিয়ালে। তুৰি-মুৰি কৰিব নোৱাবা মহাপৰাক্রমী গদাধৰ সিংহ স্বর্গদেৱৰ অসম-ৰাজ্যৰ গুৰিয়াল, অসমীয়া সৈন্যই প্রাণটাকি যুদ্ধ কৰি ইটাখুলিৰ যুদ্ধত মোগল ফৌজাদাৰ মথুৰ খাঁক পৰাস্ত কৰি মানাহাৰলৈকে অসমৰ সীমা ধার্য্য কৰিলে, খৃষ্টাব্দ ১৬৮২, আগষ্ট মাহ। সেই সীমা লবচৰ নোহোৱাকৈ বৃঢ়ি অহাৰ আগলৈকে অসমৰ সীমা হৈ আছিল।

১৬৯৬ খৃষ্টাব্দত গদাধৰ সিংহৰ মৃত্যু হয়। পিতৃ-ৰজাৰ সুচতুৰ ৰাজ্য শাসনৰ ফলস্বৰূপে সুস্থিৰ ৰাজ্যৰ অধিকাৰী হে পুতেক মহাবাজ কত্রসিংহই বৰ-আসামৰ সিঁচৰতি হে পৰি থকা ৰাজ্য কিখণ্ড 'সাত ৰাজ মাৰি এক ৰাজ' কৰিবলৈ অর্থাৎ একছত্র তলত আনিবলৈ চেষ্টা কৰিলে। আগৰ দিনত পৰাক্রমী ৰজামাত্রেই ওচৰ-পাঁজৰৰ ৰাজ্য অধিকাৰ কৰি এক মণ্ডলৰ ভিতৰত অন্তর্ভুক্ত কৰি "ৰাজাধিৰাজ ৰাজচক্রবর্ত্তী" খিতাপ লাভ কৰা ৰজাৰ স্বাভাবিক ধর্ম্ম বুলি বিবেচনা কৰিছিল।

পোনপ্রথমে অসমৰ দাঁতিকাষৰীয়া ৰাজ্য বশ কৰি বা তাবে সৈতে মিত্রতা স্থাপন কৰি কত্রসিংহ স্বর্গদেৱে অসমৰ ক্ষত্রশক্তি বঢ়াবলৈ চেষ্টা কৰিলে। কছাৰী ৰজাক

জয়ন্তাৰ আক্ৰোশৰ পৰা উদ্ধাৰ কৰা হল। বিশ্বনাথ ক্ষেত্ৰত স্বৰ্গদেৱে দৰবাৰ পাতি কছাৰী ৰজা তাম্ৰধ্বজক বাওঁ আঠুত আৰু বৰপুত্ৰ শিৱসিংহক সোঁ-আঠুত বহুৱাই সত্য প্ৰতিষ্ঠা কৰি কলে—"এই দুই মোৰ পো।" তেতিয়াৰে পৰা কছাৰ আৰু অসমৰ পিতা-পুত্ৰ সম্বন্ধ স্থাপিত হল। তাৰ পাচত স্বৰ্গদেৱে জয়ন্তা ৰজা ৰাম-সিংহকো সেইদৰে দৰবাৰ পাতি আদৰ-সম্ভাষণ জনালে। ইয়াৰ বাহিৰেও দৰং, বৰদুৱাৰ, ন-দুৱাৰ, পান্তন, ভোগাগাওঁ, মৈৰাপুৰ, ৰাণী, লুকী, বনগাওঁ, পাণবাৰী, খোলা, নেলি, গোভা, চহৰী, ডিমৰুৱা আদি ৰাজ্যৰ ৰজাসকলেও স্বৰ্গদেৱক কৰভাৰ দি স্বৰ্গদেৱৰ সকলো কাৰ্য্য-কামৰ কাৰণে তিয়াৰ হৈ আছিল। ৰজাদেৱে কটকী দলৈ দোৱনীয়া মানুহ পঠাই পূৰ্ব্বৰ মিত্ৰতা আৰু সুদৃঢ় কৰিলে। ইয়াৰ বাহিৰেও ডফলা জাতিক বশ্য কৰি স্বৰ্গদেৱে ডফলাৰ দুৰ্দ্দমনীয় সাহ-বীৰ্য্য অসমীয়াৰ ক্ষত্ৰশক্তিৰ অঙ্গীভূত কৰি ললে।

সামৰিক আৰু অন্যান্য বিষয়ত ভাৰতৰ ভিন-ভিন দেশৰে সৈতে অসমক সমকক্ষ কৰিবৰ নিমিত্তে স্বৰ্গদেৱ ৰুদ্ৰসিংহই খাউন্দ আৰু বৈৰাগীৰ খেল সৃষ্টি কৰি শিক্ষিত সুচতুৰ দূত হিন্দুস্থানৰ চাৰিওকাষে পঠিয়াবলৈ ধৰিলে। খেনোৱে ৰাজত্ব কৰে নিজৰ ভোগ-বিলাস-বাসনা চৰিতাৰ্থ কৰিবৰ নিমিত্তে; খেনোৱে ৰাজত্ব কৰে ৰাজ্যৰ পূৰ্ব্বে চলি অহা উন্নতি, প্ৰতিষ্ঠা আৰু অৱস্থাকে লৰচৰ নোহোৱাকৈ ৰক্ষা কৰিবলৈ; আৰু খেনোৱে ৰাজত্ব কৰে নিজৰ দেশক মান-মৰ্য্যাদা-শিক্ষা-গৌৰৱৰ উচ্চশৃঙ্গত অধিষ্ঠিত কৰিবলৈ। স্বৰ্গদেৱ ৰুদ্ৰসিংহ আছিল এই সৰ্ব্বোত্তম শ্ৰেণীৰ নৃপতি। তেওঁৰ ষোলবছৰীয়া ৰাজত্বৰ একমাত্ৰ উদ্দেশ্য আছিল সভ্য জগতৰ সমুখত অসমৰ প্ৰতিপত্তি বঢ়োৱা। সতী জয়মতীৰ লাই-কোঁৱৰ যে এনে দেশানুৰাগী হব সি একো আচৰিত নহয়।

অসমৰ দাঁতিকাষৰীয়া ৰজাসকলৰ মিত্ৰতা আৰু হিন্দুস্থানৰ নানা দেশৰ যুদ্ধ-প্ৰণালী-জ্ঞানেৰে পৰিপুষ্ট হৈ মহাৰাজ ৰুদ্ৰসিংহই দিগ্বিজয় বাসনা কৰিলে। তেওঁৰ প্ৰধান উদ্দেশ্য আছিল ৰত্নপীঠ উদ্ধাৰ কৰি বৰ-আসামক পুনৰ একচ্ছত্ৰৰ অধীন কৰা। প্ৰাচীন কামৰূপৰ পশ্চিম-প্ৰান্ত তেতিয়া বহু বছৰ ধৰি মোগলৰ তলতীয়া। ঢাকাৰ চুবেদাৰে ৰঙামাটিত থকা ফৌজদাৰৰ জৰীয়তে তাক শাসন কৰিছিল। ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনত মুৰ্চ্ছিদ-কুলি খাঁ ঢাকাৰ শাসনকৰ্ত্তা আছিল। মুৰ্চ্ছিদ-কুলিয়ে তলতীয়া ৰজালৈ পঠোৱাৰ দৰে আহোম স্বৰ্গদেৱলৈকো খিলাত বা পাগ-জেমাৰ উপহাৰ পঠিয়াইছিল। ইয়াতে আত্মাভিমানী ৰুদ্ৰসিংহ স্বৰ্গদেৱ বিষমকৈ ক্ষুণ্ণ হৈছিল। তাৰ উপৰিও অসমীয়া প্ৰজাই ভাগীৰথী আৰু কৰতোয়া-গঙ্গাত তীৰ্থ কৰিবলৈ যাওঁতে বাটত স্থানীয় মোগল কৰ্ম্মচাৰীৰ পৰা নানান নিৰ্য্যাতন সহিছিল। সেইদেখি স্বৰ্গদেৱে বঙ্গ আক্ৰমণ কৰিবৰ মনস্থ কৰিলে। ইয়াৰ তিনিটা ঘাই উদ্দেশ্য,—প্ৰথম, বৰ-আসামৰ পুৰণি সীমা পুনৰুদ্ধাৰ; দ্বিতীয়, বঙ্গৰ চুবেদাৰ মুৰ্চ্ছিদ-কুলি খাঁই দিয়া অপমানৰ প্ৰতিশোধ; তৃতীয়, অসমীয়া তীৰ্থযাত্ৰীৰ গঙ্গাস্নান আদিৰ তীৰ্থ-পৰ্য্যটনৰ সুবিধা।

বঙ্গ-দিগ্বিজয়ৰ উদ্দেশ্য স্বৰ্গদেৱে তিনি ডাঙ্গৰীয়া বৰুৱা ফুকন সকলোকে চপাই ৰণ-মেল পাতিলে। সেই মেলৰ উক্তিবোৰত অতীতৰ অসমীয়াৰ দেশাত্মবোধ যিদৰে ফুটি ওলাইছে তাৰপৰা এই ৰণমেলৰ বিবৰণী খণ্ড অসমীয়া সাহিত্যৰ এডুখৰি উৎকৃষ্ট চানেকি স্বৰূপে চিৰকাল জিলিকি থাকিব। সেইদেখি আমি তাক বুৰঞ্জীৰ পৰা হুবহু তলত তুলি দিলো।—

"পূৰ্ব্বে ৰুদ্ৰসিংহ স্বৰ্গদেৱে ১৬৩৫ শকৰ ভাদৰ দিনত লাইথপনা গোহাঁঞিৰ পুতেক বৰগোহাঁঞি, কুৱেঁগঞা ফুকন বুঢ়াগোহাঁঞি, কেন্দুগুৰীয়া ডেকা বৰপাত্ৰ গোহাঁঞি, এই তিনিজনা ডাঙ্গৰীয়া প্ৰমুখ্যে বৰুৱা ফুকন সমস্তোতে সুধিলে বোলে, 'মঞি ঢকা সীমাকৈ বঙ্গাগঢ়াৰ পৰা এই ৰাজ্যখানি মাৰিবলৈ মন কৰোঁ। তোমালোকে কি বোলাঁ?'

"কেন্দুগুৰীয়া বৰপাত্ৰ-গোহাঁঞে মহাৰাজাৰ কথাতে ভৰ দি বোলে,—'সৰ্গদেৱে উত্তমহে সুধিছে। কৰতীয়া-গঙ্গা সীমা কৰি আমাৰহে ৰাজ্য। আমি মন-কাণ নেদিবৰ দ্বাৰাইহে শত্ৰুয়ে লৈছে। ৰাজা হলে পৰ শত্ৰুক মাৰি,

আপোনাৰ সীমনা ৰাখি ৰাজ্য লৱনেসে যোগ্য। আৰু নাও-নাৱৰা আহিলা-পাতি বহুতো হুইছে। স্বৰ্গদেৱৰ আজ্ঞা হলে তাক মৰা যাব।'

"ফুকন-বুঢ়াগোহাঁঞে বোলে,—'সৰ্গদেৱে উত্তমহে সুধিছে, বৰপাত্ৰ-গোহাঁয়ে উত্তমহে কৈছে। সৰ্গদেৱৰ পূৰ্ব্বে পুলিন ৰাজাদেৱে তেজশক্তিৰ বলে ৰঙ্গামাটী চৰাই কৰতোয়া-গঙ্গাত খাণ্ডা পখালি গৈছে। তেতিয়া তাক আচল হেন দেখি গুৱাহাটীত থানা কৰি মানাহা সীমা কৈ গৈছে। জয়ধ্বজ ৰাজাদেৱৰ দিনত এনে আহিলা পাতি বহুতো আছিল, তত্ৰাপি নাম হল ভগনীয়া ৰাজা। অস্ত্ৰ-শস্ত্ৰ আহিলা-পাতি সমস্তো জড়; স্বৰ্গদেৱৰ বন্দী-বেটাহে চেতন; সেয়ে চলালে চলে। তাৰো বলাবল বুজিব লাগে। শত্ৰুৰো বলাবল বুজিব লাগে। জয়-পৰাজয় দুয়ো আছে। আকো বিশেষৰূপে বুজিহে বাঢ়িবলৈ ভালহেন দেখি। তথাপি সৰ্গদেৱে যি বুলিব সেইয়েহে হব।'

"ৰাজাদেৱে খং কৰি বোলে,—'সৰ্ব্বকালে গোহাঁঞি-বোৰৰ এনেহে কথা।' এই বুলি বিদায় দিলে।

"পাচে বৰুৱা ফুকন সমস্তে বোলে,—'স্বৰ্গদেৱ, গোহাঁঞিবোৰক নালাগে। আমাক আজ্ঞা কৰোক, ঢকা সীমা কৰি আমি মাৰোঁগৈ'।"

গা-গধুৰ পৰামৰ্শপটু তিনিজনা ডাঙ্গৰীয়াৰ কথাত স্বৰ্গদেৱে জয়াভিলাষৰ তীব্ৰতা দেখা নেপাই ক্ৰোধান্বিত হল। কিন্তু বিজুলীৰ আগত উৰা সমৰ-সুনিপুণ বৰুৱা ফুকনৰ উৎসাহত স্বৰ্গদেৱে বঙ্গ আক্ৰমণ কৰিবলৈ সিদ্ধান্ত কৰি সৈন্য-সেনা সহিতে গুৱাহাটীলৈ আহি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বাহৰ সাজি থাকিল। স্বৰ্গদেৱৰ আদেশমতে কছাৰী, জয়ন্তীয়া, দৰঙ্গী, ৰাণী, লুকী আদি পাঁচৰজীয়া সাতৰজীয়া সকলে নিজ নিজ সৈন্য-সামন্ত লৈ গুৱাহাটী বাহৰত স্বৰ্গদেৱৰ ফৌজৰ লগত ভৰ দিলেহি। ৰজা-প্ৰজা সেনা-সেনাপতিৰ আড়ম্বৰত গুৱাহাটী দল্‌দোপ্-হেন্দোল্‌দোপ্ কৰিবলৈ ধৰিলে। স্বৰ্গদেৱৰ লগত আছিল খাচ অসমীয়া সৈন্য বাহিনী তিনি লাখ তিনিকুৰি হেজাৰ। কছাৰী, জয়ন্তীয়া, দৰঙ্গ, বেলতলা, ৰাণী, নদুৱাৰ, টোপাকুছি, ডিমৰুৱা আদি দাঁতিয়লীয়া সৈন্য দুকুৰি হেজাৰ। এই চাৰিলাখ সৈন্যক আহাৰ-পাতি যোগোৱাত ব্যতিক্ৰম হোৱাটো স্বাভাৱিক। স্বৰ্গদেৱে কলে,—"মোৰ নিজৰ সৈন্যই দুখ পালে মোৰ ইমান চিন্তা নাই। কিন্তু যদি এই ৰণত ভৰ দিবলৈ অহা কছাৰী আৰু জয়ন্তীয়া সৈন্যই কোনো কষ্ট পাবলগীয়া হল তেন্তে মোৰ লাজ আৰু দুখৰ অন্ত নোহোৱা হব।" ইয়াকে ভাবি সংখ্যা কমাবলৈ চেষ্টা কৰা হ'ল। স্বৰ্গদেৱৰ সৈন্যৰ পৰা বাৰ হেজাৰ ৰণুৱা আৰু দাঁতিয়ালৰ চাৰিহেজাৰ সৈন্যক খেতি-বাতি কৰিবলৈ নিজ-নিজ গাৱঁলৈ পঠিয়াই দিয়া হল। মানাহামুখলৈ যুদ্ধৰ আহিলাপাতি নাও ভৰাই পঠাবলৈ ধৰিলে।

ইতিমধ্যে উত্তৰ গুৱাহাটীৰ বাহৰৰ পৰা স্বৰ্গদেৱে সুচতুৰ কটকী পঠাই অম্বৰৰ ৰজা, দিল্লীৰ পাদশ্বাহ, ত্ৰিপুৰাৰ অধিপতি বেহাৰৰ ৰজা, বৰ্দ্ধমান, ৰংপুৰৰ কৃষ্ণ-সুন্দৰ ৰজা, আৰু পাঙ্গ্যাৰ ৰজাৰ ত'লৈ এইমৰ্ম্মে পত্ৰ লিখিলে,—

"কৰতোয়া নদীৰ পূবপাৰে থকা ৰাজ্যবোৰৰ পূৰ্ব্বৰ অধিকাৰী আমিহে। সেইদেখি আমি তাক পুনৰ অধিকাৰ কৰিবলৈ মন কৰিছোঁ। আমাৰ প্ৰতি বিৰুদ্ধ আচৰণ নকৰিবা। আমাৰ দুয়োৰো ভিতৰত প্ৰীতি-সম্বন্ধ প্ৰবৰ্ত্তিলে সকলো কাৰ্য্য সাফল হব। তোমাৰ ৰাজ্য, তোমাৰ শাসন, তোমাৰ ৰাজস্ব, তোমাতে থাকিব। মাত্ৰ মোক নামটো দিবা। এনেমতে কাম কৰিবা যাতে দুয়ো পক্ষৰে শান্তি ৰক্ষা হয়। আমি যোৱা দেখি কোনো শঙ্কা নকৰিবা। অতি শীঘ্ৰে প্ৰীতি বাঞ্ছা কৰি তোমাৰ কুশলাদি জনাই পত্ৰ দিবা।"

১৭১৪ খৃঃৰ ডিচেম্বৰ মাহত অসমৰ বিপুল সৈন্য-বাহিনী বঙ্গৰ অভিমুখে যাত্ৰা কৰাৰ সকলো আয়োজন হল। কিন্তু কালৰ কি কুটিলা গতি, স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ গুৱাহাটী বাহৰতে টান নৰিয়া হোৱাত সেই দিগ্বিজয় যাত্ৰা চিৰকালৰ কাৰণে স্থগিত হল। অন্তিম সময়ত স্বৰ্গদেৱে শিৱসিংহ আদি নিজ পুত্ৰসকলক কাষলৈ মাতি আনি কলে,—

"বোপাইঁত, বহাঁ। তোমালোক সদাই মিলেৰে থাকিবা। তোমালোকে এজনৰ পাছত এজন ৰজা হব পাৰিবা

তোমালোকৰ ভিতৰত দ্ৰোহ-ভাব সৃষ্টি কৰিবলৈ বহুতে চেষ্টা কৰিব, কোনোৱাই তাৰ সংকেত পালে কেতিয়াও তাক শুনিবা,কিন্তু সদাই মিলিজুলি একগোট হৈ থাকিবা। আমি দুই ভাই আছিলো, কিন্তু শত্ৰুৰ কথা শুনি সক ভাইক খেদাই দিলো,মোৰ ভুল মই এতিয়া বুজিব পাৰিছোঁ। সেইদেখি সদাই মিত্ৰভাৱে থাকিবা, তেনেহলে তোমালোকৰ সকলো চেষ্টা সিদ্ধ হব, অমিত্ৰ হৈ থাকিলে একো সিদ্ধ নহব। বৃদ্ধ হোৱা ডেকা হোৱা তোমালোকে আটাই কিজনে অনুক্ৰমে বজা হবা। মই মোৰ দীতিকাৰবীয়া বাজ্য বিলাকক দমালোঁ, আৰু কৰতোয়া নৈৰ সংগম দেশবোৰ কৰতলীয়া কৰিবলৈ মই অভিলাষ কৰিছিলোঁ। মোৰ কামনা মোৰ মৃত্যুৰ লগে লগে ধ্বংস হব! হায়, মোৰ বাসনা কাৰ্য্যত পৰিণত কৰিবলৈ কাৰ সামৰ্থ্য ?"

আহা, এই অস্তিমবাণীত কি আক্ষেপ, কি দেশপ্ৰেম, কি যন্ত্ৰণা !

খৃঃ ১৭১৪, ১৬৩৬ শকাব্দ ১৩ ভাদৰ দিনা উত্তৰ গুৱাহাটী বাহৰত স্বৰ্গদেউ কন্দৰ্পসিংহৰ মৃত্যু হয়। তেওঁৰ লগে লগে বৰ-আসাম উদ্ধাৰৰ চেষ্টা যুগযুগান্তলৈ চুবমাৰ হল।

১৭০৭ খৃষ্টাব্দত আউৰংজেব পাদশাহৰ মৃত্যু। সম্ভিহান সম্ৰাটৰ দীৰ্ঘলীয়া শাসনৰ চোত মোগল-সাম্ৰাজ্যৰ তৰীখনি ডুবোঁ-ডুবোঁ তেনে অৱস্থাত অসমৰ দুৰ্দ্দমনীয়, সুশিক্ষিত, সকলো কামতে পটু, মৰণক তোচ নকৰা, বাধৰ আগত অগা-ডেইয়া কৰা, দুখ-ভাগৰ নজনা, বিলাসৰ মুখ নেদেখা, প্ৰলোভনৰ হাত সাৰিব পৰা অজেয় চাৰি লাখ অসমীয়া সৈন্যৰ অধিপতি শ্ৰীশ্ৰীমহাৰাজাধিৰাজ কন্দৰ্পসিংহ স্বৰ্গদেউ আক তেওঁৰ লগৰীয়া গোহাঁই, ফুকন, বৰুৱা, হাজৰিকা, শইকীয়া, দৰঙ, কছাৰী, জয়ন্তীয়া, ৰাভা, বেলতলা আদি সামন্ত-নৃপতিসকলৰ সমবেত সমৰশক্তিয়ে ভাৰত-সাম্ৰাজ্যৰ গতি অইনফালে পোনাব পাৰিলে হেতেন। তাৰ ফলে অসমীয়াৰ কৃষ্টি অসমীয়াৰ সভ্যতাৰ প্ৰভাৱ আজি কুমাৰিক অন্তৰীপৰ পৰা হিমগিৰিৰ পদপ্ৰান্তলৈকে দেখা গলহেতেন। এনে ছেগ, এনে নিচকণ জলস্ত সম্ভাৱনা অসমৰ জাতীয় জীৱনত এয়ে প্ৰথম আৰু এয়ে শেষ।

কিন্তু আজিও দুশ-ওঠৰ বছৰৰ পাচত অসমীয়াৰ অন্তৰে অন্তৰে প্ৰতিধ্বনিত হৈছে,—

"কৰতোয়া-গঙ্গা সীমা কৰি আমাৰহে বাজ্য। আমি মনকণ নেদিবৰ ধাৰাইহে শত্ৰুক্ষেত্ৰে লৈছে। বাজা হলে পৰশত্ৰুক মাৰি আপোনাৰ সীমনা বাৰি বাজ্য লৱনেলে যোগ্য।"

"মই মোৰ দীতিকাৰবীয়া বাজ্যবোৰ দমালোঁ, আৰু কৰতোয়া নৈৰ সংগম দেশবোৰ কৰতলীয়া কৰিবলৈ মই অভিলাষ কৰিছিলোঁ। মোৰ কামনা মোৰ মৃত্যুৰ লগে লগে ধ্বংস হব। হায়, মোৰ বাসনা কাৰ্য্যত পৰিণত কৰিবলৈ কাৰ সামৰ্থ্য ?"



কেৰাণীৰ কপাল

গল্প—

—শ্ৰীযুত মহীচন্দ্ৰ বৰা, বি-এল

এক

লেলাই-ধেন্দাই আৰু গোঁফ গজাই কিণাৰাম কাকতীয়ে যেতিয়া একেবাহে তিনি বছৰ একেটা শ্ৰেণীতে আঁকোৰ-গজালি হৈ লাগিও কোনোমতে ওপৰ শ্ৰেণীলৈ উধাৰ নোৱাৰি স্কুলবপৰা খেদা খালে তেতিয়া তাত কোনো আচৰিত হোৱা নাছিল। সকলোৱে মাথোন কলে কিণাৰামে শ্ৰেণীত তিনি বছৰৰ বিকল্প দখলৰ সুবিধা লৈ স্বত্ব সাব্যস্ত ক্ৰমে মাদী পট্টা লভিবৰ উপক্ৰম কৰা নিতান্ত অজাগ হৈছিল।

কিন্তু আচৰিত হ'ল সকলোটি, যেতিয়া শুনিলে সেই নোমনেশুৰ বৰ্জ্জিত "বেকিং"বিহীন কিণাৰাম কাছাৰীৰ পেইস্ প্ৰবেশ্গনাৰ হৈ একেকোবেই তৌজী-নবিছৰ কামত মকৰল হ'ল।

নতুন বৰচাহাবৰ হঠাৎ কিণাৰাম-প্ৰীতিৰ কাৰণ কি ? চিবস্তাদাৰৰ জেঠেৰিয়েক চন্দ্ৰধৰক নেওচি কিণাৰামে কি গুণত এই দুৰ্ল্লভ কেৰাণী পদ লাভ কৰিলে ? কাৰ "বেকিং"ৰ বলত কিণাৰাম ইমান উদাৰে ? ইত্যাদি আলোচনাত কাছাৰীৰ কেৰাণীসকল ব্যস্ত হ'ল। চিবস্তাদাৰৰ দুৰ্ভাগ্যত সকলোটিয়ে সহমুভূতি দেখুৱাই ইজনে সিজনৰ চকুলৈ চোৱাচুই কৰিবলৈ ধৰিলে। কিন্তু কিণাৰামৰ কেৰাণী পদ প্ৰাপ্তিৰ কাৰণ কোনেও বুজিব নোৱাৰিলে।

দেখাত চিবস্তাদাৰৰ সঁচাকৈয়ে দুৰ্ভাগ্য। অসীম প্ৰভাণী চিবস্তাদাৰৰ কোনো চেষ্টা বিফল হোৱা কাছাৰীৰ বুঢ়ীয়ে বিবল। চিবস্তাদাৰৰ কথা যে কেতিয়াবা নবজিব পাৰে সি কেৰাণীকুলৰ স্বপ্নবো অগোচৰ। তাতে সেইদিনা মাথোঁ চিবস্তাদাৰে কথাই কথাই প্ৰকাশ কৰিছিল—নতুবা বৰচাহাবে তেওঁক কোনো কথা নোসোধাকৈ কলমেৰে এটা খোঁচেই নামাবে। তেওঁ চাহাবৰ আগত দহ বুলিলে দহ, 'পচি' বুলিলে 'পচি'। মুঠতে নতুন চাহাব তেওঁৰ হাতৰ মুঠিত।

চন্দ্ৰধৰক চিবস্তাদাৰেই আনি দুমাহে কাছাৰীত কামো শিকাইছিল। তাতে তেওঁ চিবস্তাদাৰৰ তৃতীয় পক্ষৰ পত্নী সেউতীৰ ককাইদেক। এনে অৱস্থাত তেওঁ যে কাম নাপাৰ পাৰে, তাক কোনোবাই ভাবিব পাৰে নে ? এনে অঘটন কেতিয়াবা ঘটিব পাৰে নে ?

কিন্তু এনে অঘটনো ঘটিল। নিৰ্ব্বিকাৰচিত্ত চিবস্তাদাৰে কেৰাণীকুলক মাথোঁ কলে—"কিণাৰাম মোৰ এজন বন্ধুৰ ল'ৰা। ঈশ্বৰৰ ইচ্ছাত মাউৰা ল'ৰাৰ তেও এটা দিহা লাগিল।"

তেওঁৰ এই উত্তৰত অৱশ্যে কোনেও সন্তোষ লাভ কৰিব নোৱাৰিলে। নাজিৰ নকুলচন্দ্ৰই চিবস্তাদাৰে চকুতেই বোধ কৰোঁ মাউৰা কিণাৰাম পবিল।"

দুই

কিণাৰাম যেতিয়া স্কুলবপৰা খেদা খাই নামকটা চিপাহী হৈ অনাই-বনাই ফুবিবলৈ ধৰিলে তেতিয়া তেওঁৰ বাপেকে তেওঁৰ মৰণৰ আগতে ল'ৰাটৰ এটি গতি লগাই থিতাপিকৈ থাপি যাবলৈ থদমদম্ লগাই দিলে। কিণাৰামৰ বিয়া হল, বোৱাৰী জেউতিও আহিল। কিন্তু বুঢ়াই হে বেছিদিন বোৱাৰীৰ লালনপালন ভুগিবলৈ নাপালে।

গাৱঁত বুঢ়াৰ সম্পত্তিৰ পৰিমাণ আদি লৈ ফু-ফা-ফা হবলৈ ধৰিলে। কোনোৱে কলে—"কম পক্ষেও বুঢ়াই পাঁচোট

হেজাৰ চিকা ৰূপ থৈ নোযোৱাকৈ মৰা নাই।" কোনো-জনে মন্তব্য প্ৰকাশ কৰিলে—"বুঢ়া যিহে বান্ধকানি, যি হে বাঢ়ৈটোকা নিশ্চয় দহ হেজাৰ টকা কিণাৰামলৈ ৰাখি থৈ গৈছে।" গাৱঁৰ গাওঁবুঢ়াই কলে, "মৰিবৰ আগতে বুঢ়াই পোন্ধৰ হেজাৰ টকা কিণাৰামৰ হাতত দি গৈছে বুলি মোৰ আগত গুপুতে কৈ গৈছে।" গায়নবৰাই গোঁফ শিয়ৰাই ন-দি কলে, "যদি কিণাৰামে কুৰি হেজাৰ টকাৰ এটা ফুটা কড়িও কম পায় তেন্তে মই বোপাইৰ পোৱেই নহওঁ।"

এদিন কিন্তু কিণাৰাম কিমান টকাৰ মালিক এই বিষয়ে নামঘৰত হোৱা তৰ্কবিতৰ্কত বাকবিতণ্ডাত খেল দুফাল হবৰেই উপক্ৰম হৈছিল। ভাগ্যে যেনিবা গায়ন-বৰাৰ বুজনিত আৰু বুঢ়াৰ শ্ৰাদ্ধত ভূৰিভোজনৰ সম্ভাৱনাত খেল সেই যাত্ৰালৈ ৰক্ষা পৰিল। কিন্তু অনেকৰ হলে বুঢ়াৰ টকাৰ পৰিমাণৰ ভাবনাত চকুৰ টোপনি হৰিল।

টকাই বোলে মানুহ টানে। যেতিয়া কিণাৰামৰ ধন দৌলতৰ পৰিমাণ মানুহৰ মুখে মুখে বাঢ়ি গৈ এক ধৰিব নোৱাৰা ভাবিব নোৱাৰা সংখ্যাত পৰিলগৈ তেতিয়া মাউৰা কিণাৰামৰ ইষ্ট-বান্ধৱ মিতিৰ-কুটুমৰ সংখ্যা হঠাৎ বাঢ়ি উঠিল। শ্ৰাদ্ধলৈ বিনানিমন্ত্ৰণে মাহী আহিল, মহা আহিল; পুত্ৰ-পুত্ৰী সমন্বিতে পেহা আহিল, পেহী আহিল। আনকি কিনাৰামে জন্মাৱধি নেদেখা আৰু নাম নুশুনা সকলো সপৰিবাৰে এটা নহয় এটা সম্বন্ধ লগাই কিনাৰামৰ ঘৰত হাজিৰ হৈ হেন্দোলদোপ্ লগাই দিলেহি। কিনাৰামৰ পিতৃবিয়োগত সকলোটিৰে হিয়া শোকত উথলি উঠিল। হুৰাওৰাও কান্দোনত গছৰ পাত সৰিল। লগে লগে কিনাৰামৰ আৰু তেওঁৰ বুঢ়া বাপেকৰ প্ৰশংসাত সকলোটিয়ে চতুৰ্ম্মুখ ব্ৰহ্মাকো চেৰ পেলালে। মহাকে কলে,—"ঠিক কিনাৰাম এজন লেখৰ ল'ৰা—ভোলা পুৰুষ।" পেহাকে পেঘেনিয়াই কলে, "বাঘৰ পোৱালী বাঘ নহৈ যায় কলৈ? চাই থাকিবা দিয়ন-থোৱনত কিনাৰাম বোপাক এই অঞ্চলৰ কোনেও চেৰ পেলাব নোৱাৰে।"

ভিতৰৰ তিৰোতা সমাজত কিন্তু এনে ধৰণৰ আলোচনাই আৰু প্ৰবল আকাৰ ধাৰণ কৰিছিল আৰু তাৰ ফলত এদিন কিণাৰামৰ ঘৰত কুৰুক্ষেত্ৰৰ আগন্তুক মিলিছিল। সিদিনা খাই-বৈ উঠি দুপৰিয়া তামোল-ছালি খাবৰ সময়ত কথাই কথাই কিনাৰামৰ দূৰ সম্বন্ধীয়া জেঠায়েকে জেউতিক ওচৰত বহুৱাই লৈ কলে, "বোপাৰ বোৱাৰীৰ কথা নো কম কি? ৰাম চাই সীতা বিধাতাই জোৰ লগাই থৈছিল দেহি।" পেহীয়েকে কলে—"মোৰ ওপৰতেই আইটীয়ে ঘৰখনৰ গোটেই ভাৰ পেলাই দিছে।" মাহীয়েকে টপৰাই মাত লগালে— "মোক নোসোধাকৈ কিন্তু বোৱাৰীয়ে কোনো কামতে হাত নিদিয়ে।" কিনাৰামে নজনা আৰু কাহানিও নেদেখা খুৰীয়েকে জেউতিৰ গালে মুখে হাত ফুৰাই কলে, "গাত কথা নপৰা একেবাৰেই কুমলীয়া বোৱাৰীকণী মোৰ—সিদিনা মোক ম্যাতি নি বোপায়ে মইনীক গতাই দি কলে, "খুৰী! তোমাৰ বাহিৰে আৰু মোৰ আপোন আছে কোন? বোৱাৰীয়েৰা নিচেই ভেলেকা। তোমাৰ হাততেই বোৱাৰীয়েৰাক গতালোঁ; নিজৰ জী বুলি চলাবা আৰু শৰাধত তিৰোতা মানুহক খুওৱা-ধুওৱা আদি কামত তুমিয়েই চকু দিবা। নহয় নে মইনী?" মইনীয়ে অৰ্থাৎ জেউতিয়ে মুখ মেলিবলৈ নৌ পাওঁতেই হাত জোকাৰি বাহুত-বাহুতকৈ কিনাৰামৰ মাহীয়েকৰ সতিনীয়েকৰ নিলগতীয়া ভনীয়েকৰ জীয়েক সবিতাই কৈ উঠিল—"এই এটাইবোৰ উচটাই জোল খোৱা। বোপাৰ ঘৰত পেট পুহিবলৈ আহিছে। ধুহি মুহি বোপাৰপৰা সৰকাৰ পাৰিলেই ভাল। আইকণ! মই কৈছোঁ এইবোৰক এতিয়াই পঠাই দিয়া, নহলে তোমাক আৰু বোপাক ইহঁতে খুলি খুলি খাব।" "হঁয়ে বেটী ৰাওমুঈ কলি কি? কলি কি? তোৰ বাপেৰৰ ঘৰত খাবলৈ আহিছোঁনে? গৰুৱাগালীৰ কথা শুনা। পাৰোঁতে নো জীয়াবাঁৰী হৈ..." বুলি কিনাৰামৰ মাহী পেহী খুৰী জেঠাই এটাইবোৰে একেচাবে উঠি সবিতাৰ ফাললৈ চোচা ললে। ভাগ্যে গাৱঁৰ গায়ন বৰা আদি সহ দলবল লৈ কিনাৰামৰ পুৰোহিত বাপু চৰাঘৰত সোমাই গল হেকাৰি কিনাৰামক মাত দিয়াত সবিতা সেই যাত্ৰালৈ ৰক্ষা পৰিল।

"পিছে বোপা, দেউতাৰাৰ শ্ৰাদ্ধলৈ তো আৰু বেছি দিন নাই। আ-আয়োজন যা-যোগাৰ এতিয়াৰপৰা নকৰিলে হব কেনেকৈ?"

কিনাৰামৰ বেলেগতীয়া বৰ-দেউতাকে মাত লগালে, "মই থাকোঁতে বাপাই সেইবোৰৰ ভাবনা ভাবিব নেলাগে দেও। মোৰ ভাইৰ নিচিনা এজন লোক নহব নুপজিব। আমাক নিব লাগিছিল ভাইৰ আগতে যমে মাৰি। অস্ অস্ মোৰ এইখনেই কপাল! ভাইৰ পিণ্ড দিবলৈকে মোক কণা বিধাতাই জীয়াই ৰাখিলে!"

বৰবাপেকৰ লগে লগে কিনাৰামৰ মহা জেঠা পেহা প্ৰভৃতিয়েও হুক্‌হুকাবলৈ ধৰিলে। ভিতৰতো কান্দোনৰ ৰোল উঠিল।

"নাকান্দিব নাকান্দিব। তেৰাৰ আছিল পুণ্য পৱিত্ৰ জীৱ। সংসাৰৰ নিকাৰ ভোগাবৰ কাৰণে আমাৰ নিচিনা পাপী-তাপীবোৰক হে ধৰ্ম্মই চকু নিদিয়ে। ধৰ্ম্মস্য সূক্ষ্মা গতি। পৰম পুৰুষৰ মহিমা আমি কি বুজিম?" বুলি পুৰোহিত বাপু চকু মুজি ধ্যানস্থ হ'ল।

কিছুপৰ টলকা মাৰি থাকি কিনাৰামৰ বৰ-বাপেকে আকৌ মাত লগালে, "পিছে দেও, ভাইৰ সকামত নো কি কি কৰিব লাগিব, খৰচেই বা কি পৰিব তাক জনা হলে ভাল আছিল?"

"ভাল কৈছে। বোপাৰ দেউতাকৰ নাম-যশ বৈ-বৈ যোৱা। তাতে গণনাত পালোঁ মৃতকে দুপাত 'পুহকৰ' লগায়ো গৈছে। নলগাবই বা কিয়? বোপা আৰু বোৱাৰীলৈ তেওঁৰ যি হেঁপাহ। তেওঁৰ আত্মাই এতিয়াও সূক্ষ্ম শৰীৰ ধাৰণ কৰি এই ঘৰতেই বিচৰণ কৰিছে, কলোঁ। ইফালে এই অঞ্চলৰ সকলো ব্ৰাহ্মণ-সজ্জনে দান দক্ষিণাৰ কাৰণে হেঁপাহেৰে শৰাধৰ দিন আঙুলিৰ আগত গণিব লাগিছে। কমপক্ষেও হেজাৰ দুই নহলে এনে মহৎ কাম সিজে কেনেকৈ? আকৌ ৰাইজেও বোলে শৰাধৰ দিনা দিনত হৰমোহন আৰু ৰাতি বঘাসুৰ বধ ভাৱনা পাতিবলৈ মন মেলিছে। তাতো চাৰি-পাঁচশ টকা লাগিব। ৰাইজেই বা মন নেমেলিব কিয়? বোপাৰ বাপেক যে ৰাইজৰ এজন ধৰণী আছিল।"

সকলোটিয়ে কিনাৰামৰ মুখলৈ চাই ৰল। কিনাৰাম কিন্তু নিৰুত্তৰ। তেওঁৰ চকুৱেদি মাথোঁ দুধাৰি চকুলো ওলাই দুয়োগালেদি বাগৰি গ'ল।

পুৰোহিত বাপুৱে কিনাৰামক সম্বোধি পুনৰ কলে—"বেজাৰ নকৰিবা বোপা! সংসাৰ অনিত্য সকলো অসাৰ। "যত দেখা ধন জন সৱে বিষ্ণু মায়া।" কোন কাৰ? যাতে পিতৃপুৰুষৰ কামফেৰি সুকলমে হৈ যায় তাৰ বাবে হে ঈশ্বৰক চিন্তি চেষ্টা কৰিব লাগে। শত্ৰুৰ মুখত ছাই দি দেউতাৰাই যথেষ্ট থৈ গৈছে। তেখেত আছিল এজন লেখৰ লোক। মাটি-বাৰী ঘৰ-দুৱাৰতকৈ তেখেতৰ চকু আছিল চিকা ৰূপত হে।"

"দেও!"

"বোপা!"

"যি শুনিছে সকলো মিছা। দেউতাই বিশেষ একো থৈ যোৱা নাই।"

উপস্থিত সকলোটি উচপ খাই উঠিল। তেওঁলোকৰ চকু থিৰ পৰিল।

বৰদেউতাকে কলে—"হোৱা বস্তুক নোহোৱা বুলিব নাপায় কিনাৰাম!"

মহাকে মাত লগালে—"অৱশ্যে আমাৰ বোপাৰ মানত দহ বিছ হেজাৰ একোৱেই নহয়।"

পুৰোহিতে দান-দক্ষিণাৰে পিণ্ডদানৰ মহিমা বৰ্ণালে।

"আপোনালোকক নো আৰু মই কি কম! অৱশ্যে মোৰ পিতৃপুৰুষৰ মুখৰ চুৱা যথাসাধ্যে গুচাব লাগিব।"

সকলোটিয়ে "অৱশ্যে, অৱশ্যে" বুলি কৈ আশাৰ চকুৰে কিনাৰামলৈ চাই ৰল।

"বৰদেউতাৰ তাতে তিৰোতাৰ হাতৰ কাণৰ যি আছে সোঁতা থৈ যি পাওঁ তাৰেই ৰাইজৰ লেঠা মাৰিম।"

সকলোটি সেই ফালেই জঁয় পৰিল। ইটিয়ে সিটিৰ মুখলৈ চাবলৈ ধৰিলে। ফোৰোহনি মাৰি বৰদেউতাক গুচি গল। গাৱঁৰ গায়নবৰাই—"বান্ধকানিৰ পুতেক কুলাঙ্গাৰ কিনাৰামে কি শৰাধ কৰিব হে?" বুলি একে

চাবেই উঠিল। পুৰোহিতে শৰাধৰ দিনা দেখা দিমহি বুলি কৈ প্ৰস্থান কৰিলে। মহাক মাহীয়েকে ঘৰত ডাঙৰ লৰাটোক জৰতে এৰি থৈ অহা বুলি তেতিয়াই খোজ ললে। পেহাক পেহীয়েকে ধান চাউল চপাবলৈ ঘৰত কোনো মানুহ নাই বুলি ভিতৰি ভিতৰি কিনাৰাম আৰু কিনাৰামৰ পত্নীক শাও দি পুত্ৰ পুত্ৰী সমন্বিতে ঘৰলৈ ঘূৰিল। মুঠতে সকলোটিয়ে কিনাৰামৰ উত্তৰত নিৰাশ হৈ আৰু দিয়ন-থোৱনৰ অকণো আগন্তুক নেদেখি এটা নহয় এটা লেঠা দেখুৱাই ঘৰাঘৰি গল। লৰা-ছোৱালী ডেকা-বুঢ়া সকলোৰে মুখত ধনগুলৈ কিনাৰামৰ কুৎসা বাহিৰ হবলৈ ধৰিলে।

পুৰোহিত বাপুৰ বাহিৰে শ্ৰাদ্ধত কোনো উপস্থিত নহল। সকলোৱে বোলে কিনাৰামক এঘৰীয়া কৰিলে। সামৰ্থ্য হওক নহওক কিনাৰামে বাপেকৰ শ্ৰাদ্ধ বন্ধুবান্ধৱৰ, ইষ্ট-মিত্ৰৰ আৰু ৰাইজৰ অভিলাষমতে পাতিব নোৱাৰিলে। তাতে আকৌ বোলে মৰিবৰ ঠিক আগতে কিনাৰামৰ বাপেকে মছলমান ডাক্তৰজনে মুখত ঢালি দিয়া বেদানাৰ ৰস এঢোকা গিলিছিল। লেঠাৰ কথাই।

ৰাইজৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি গাৱঁৰ মাটি-বাৰী বৰবাপেকক বন্ধক দি মুঠতে পোন্ধৰ শ টকা সমল লৈ কিনাৰাম সপৰিবাৰে জিলালৈ উঠি আহিল আৰু চিৰস্তাদাৰৰ এটা পৰি থকা পঁজাঘৰ অধিক কেৰেয়াত লৈ বাস কৰিবলৈ ধৰিলে।

তাৰে কিছুদিনৰ পিছত কিনাৰামৰ ভাগ্যত দুৰ্ল্লভ কেৰাণী পদ উঠিল।

তিনি

কিনাৰামে কাম পালে হয় কিন্তু সেই দিনাই চিৰস্তাদাৰৰ ঘৰত সিফালে খাণ্ডৱ দাহনৰ অভিনয় হল চন্দ্ৰধৰে কাম নেপাই একোকোৰেই গৈ যেতিয়া ভনীয়েক সেউতীৰ কাণত তেওঁৰ হাকিমৰ অক্ষমতাৰ কথা দহগুণ কৰি বাকি দিলেগৈ তেতিয়া সেউতীয়ে আৰু বুঢ়া হাকিমৰ ঘৰত নাথাকোঁ বুলি বাপেকৰ ঘৰলৈ যাবলৈ উখলমাখল লগাই দিলে।

চিৰস্তাদাৰ চতুৰ বিচক্ষণ লোক। তেওঁ ভালকৈয়ে বুজিছিল চন্দ্ৰই কাম নোপোৱাৰ ফল কি হব। তেওঁৰ চেনেহৰ তৃতীয় পক্ষৰ স্ত্ৰী সেউতীৰ আগত যে মুখ দেখুৱা টান হব আৰু তেওঁ নানা কটু-কাটব্য শুনিব লাগিব এইটো স্বতঃসিদ্ধ বুলি ধৰি লৈ এই বিপদত ৰক্ষা পাবলৈ মধুসূদনক সুঁৱৰি এখুজি দুখুজিকৈ গৈ যেতিয়া পদূলি পালেগৈ আৰু পদূলিমুখত দুখন ঘোঁৰাৰ গাড়ীত চাকৰ লহনক মাল-পত্ৰ বোজাই দিয়া দেখিলে তেতিয়া তেওঁৰ মূৰ ঘূৰি গল। হাত-ভৰি আশঙ্কাত কঁপি উঠিল। থৰ লাগি কিছুপৰ তাতে বৈ এটা হিয়াভগা হুমুনিয়াহ কাঢ়ি যেতিয়া ভয়ে ভয়ে ভিতৰ সোমাই সেউতীক সাজ-পাৰ কৰি ওলোৱা দেখিলে তেতিয়া আমাৰ হাকিমৰ মুখ তেনেই শুকাই পৰিল। সেউতীলৈ একেৰাহে চাই চকুত মিনতিভৰা কাতৰ দৃষ্টি লৈ মাটিতে মাতবোল নোহোৱাকৈ প্ৰতাপী চিৰস্তাদাৰ বহি পৰিল আৰু অলপ ধৈৰ্য্য ধৰি সেই পুহমহীয়া জাৰতো হাকিমে ঢক্‌ঢক্‌কৈ ওচৰত থকা লোটাটোৰ এলোটা পানী পেটত সুমাই অলপ ৰসিকতাৰে সেউতীৰ অভিমান মাৰ নিয়াবৰ মনেৰে "সৰগৰ অপেস্বৰা সেউতী সুন্দৰী" বুলিও যেতিয়া সুন্দৰীৰ মুখৰ মাত উলিয়াব নোৱাৰিলে তেতিয়া তেওঁৰ প্ৰতি সেউতীৰ অভিমানৰ গুৰুত্ব বুজিবৰ আৰু হাকিমৰ বাকী নাথাকিল।

সেউতী লাহতী ৰচকী ছোৱালী। তাতে "আধুনিকী"। নানা আভৰণেৰে সাজি-কাচি চিৰস্তাদাৰৰ কাতৰ মিনতিলৈ ভ্ৰূক্ষেপ নকৰি যেতিয়া সেউতী ওলাই যাবৰ নিমিত্তে শোৱাঘৰৰ দুৱাৰদলি ডেইবৰ উপক্ৰম কৰিলে তেতিয়া চিৰস্তাদাৰ স্থিৰ হৈ বহি থাকিব নোৱাৰিলে। উঠি আগভেটা দি সেউতীৰ হাত জপাই ধৰিলেগৈ। সেপ ঢুকি মুখত হাঁহি লৈ কলে—"এই আয়োজন কাৰ তপোভঙ্গৰ নিমিত্তে সেউতী?"

সেউতীয়ে এচাৰ মাৰি হাত এৰুৱাই যাবৰ উপক্ৰম কৰিলে।

"শুনা সেউতী, শুনা। শুনি মোক দণ্ড বিহা।"

এইবাৰ সেউতীৰ মাত ওলাল। কলে—"বুঢ়াৰ কথা

শুনিবৰ মোৰ সময় নাই। আমি কাকো দণ্ড বিহাৰ গৰাকীও নহওঁ।"

"তোমাৰ মুখত মোক বুঢ়া বোলা শুনিলে মোৰ আমঠু কলা পৰি যায় সেউতী! আজি দুবছৰে তোমাক কেনেকৈ...।"

"সকলো আমাৰ জনা আছে। আমি কাৰ কি? নহলেনো ককাইদেৱে এনেটো অপমান পাব লাগেনে? আমি তেওঁক তেতিয়াই নকৈছিলোঁ এই বুঢ়াৰপৰা একো নহয়—কিছুমান টকা বৰপেটত সুমাবলৈ নাপালে মিতিৰ কুটুমৰ হৈও একো নকৰে। এতিয়া?"

"শপত খাইছো সেউতী! তোমাৰ গাত ধৰি—যদি দুমাহৰ ভিতৰতে তেওঁক কোনো এটা কামত ধৰাব নোৱাৰোঁ তেনেহলে—"

"তেনেহলে কি হব? মোৰ মূৰ খাব, আগৰ দুজনীৰ যেনেকৈ খালে?"

"কিয় এনে কলিজা ফাটি যোৱা কথা কোৱা? আগৰ দুজনীৰ লগত তুমি তোমাৰ তুলনা কৰা কিয়? শুনা সেউতী! তোমাৰ বাহিৰে মোৰ আৰু আছে কোন? তুমি এনেকৈ মোক এৰি থৈ গলে মোৰ গতিয়েই বা হব কি?"

"আকৌ এজনী বিয়া কৰাব। আপোনাৰ তো ধন-সোণৰ অভাৱ নাই।"

"নুবুজিলা সেউতী তুমি মোক কেনেকৈ বান্ধি থৈছা।"

"চাওঁ এৰক। বাটত অগা-ভেটা নকৰিব। মই যাম বুলিছোঁ যামেই। যেতিয়া ককাইদেৱৰ এটা গতি লগাব পাৰিব তেতিয়া মন গলে আকৌ মোক লৈ আহিবগৈ পাৰে।" বুলি দম্‌দম্ কৰে বুঢ়াৰ চকুলো কাতৰ উক্তি নেওচি সেউতী গাড়ীত উঠিলগৈ।

গাড়ীৰ চকৰি ঘূৰাৰ লগে লগে চিৰস্তাদাৰৰ মনৰ চকৰিও ঘূৰিবলৈ ধৰিলে। গাড়ী যোৱাৰ ফালে তেওঁ অন্তৰত বিৰাট শূন্যতা লৈ উদাস দৃষ্টিৰে চাই ৰল। গাড়ীৰ ঘৰ্ঘৰণিৰ লগেলগে তেওঁৰ অনুমান হল যেন তেওঁৰ বুকুৰ ওপৰেদিহে ঘোঁৰাই চেকুৰ মেলিছে।

সাত্বিক লোককো সময়ে সময়ে বিসঙ্গতিয়ে দেখা দিয়ে। চিৰস্তাদাৰ সাত্বিক লোক। নিতৌ তিনিও প্ৰসঙ্গ তেওঁ গায় আৰু ভোৰতাল কোবায়। হৰি দীনবন্ধুক নিচিন্তি একাষাৰ কথাও তেওঁ নকয়। সাতোটি সেৱা জনাইহে কাছাৰী ঘৰৰ পিৰালিত তেওঁ ভৰি দিয়ে। শ্ৰীকৃষ্ণৰ সহস্ৰনাম লেখি এতাই হে লেখাপঢ়া কামত তেওঁ ধৰে। বয়স অৱশ্যে ষাঠিৰ দেওনা পাৰ হৈছে। এনেজন পুৰুষে এবাৰ নহয় তিনিবাৰকৈ বিয়া কৰাত কিছুমান নিন্দুকে নাক কোঁচাব পাৰে। সত্যৰ খাতিৰত আমি কিন্তু কবলৈ বাধ্য যে চিৰস্তাদাৰৰ তৃতীয় দাৰ পৰিগ্ৰহৰ এটা সাত্বিক কাৰণ আছিল।

শাস্ত্ৰত আছে—"পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্য্যা পুত্ৰাৎ পিণ্ডং প্ৰয়োজনম্।" পুত্ৰহীন যাগ-যজ্ঞ পূজা-অৰ্চ্চনা দান-দক্ষিণা সকলো পণ্ড—সকলো বিফল আৰু সেইবোৰে বেচেৰাক নৰকৰপৰা উদ্ধাৰ কৰিবও নোৱাৰে। গতিকে হেজাৰ বাৰ চণ্ডীপাঠ কৰায়ো—এশবাৰ আই ষষ্ঠীক পূজা-পাটল দিও আৰু সন্ন্যাসীপ্ৰদত্ত নানাবিধ ভৌতিক আধিভৌতিক কৱচ সৰ্ব্বাঙ্গত ধাৰণ কৰিও আৰু তাৰ লগে লগে দুগৰাকী বিয়া কৰায়ো পুত্ৰলাভ কাৰ্য্যত সাত্বিক চিৰস্তাদাৰ সফলকাম হব নোৱাৰিলে। বৰঞ্চ তেওঁৰ দুয়ো গৰাকী পত্নী নিঃসন্তান অৱস্থাতে কপালত সেন্দুৰ লৈ সিফলীয়া হল। তেতিয়া অসীম ধন-দৌলতৰ অধিকাৰী পুৰুষৰ মনত পুন্নাম নৰকৰ ভয়াবহ দৃশ্যই বিভীষিকা সঞ্চাৰ কৰাটো স্বাভাৱিক। ধৰ্ম্মকাৰ্য্যত আমি আমাৰ চিৰস্তাদাৰক কোনোকালে পাছ হুহকা দেখা নাই। অদম্য উৎসাহেৰে তেওঁ পুনৰ পুত্ৰৱান হবৰ বলৱতী বাসনা অন্তৰত ৰাখি পুন্নাম নৰকৰপৰা ৰক্ষা পাবৰ অৰ্থে ধৰ্ম্মকাৰ্য্যত লাগি গল আৰু ফলত দ্বিতীয়া ভাৰ্য্যা ঢুকাবৰ ছমাহৰ ভিতৰতেই তৃতীয়া ভাৰ্য্যা নিজৰ ঘৰত নিজৰ হিয়াত চপাই ললে।

ধৰ্ম্মকাৰ্য্যত সদায় বিঘিনি আছেই। তেওঁৰ এই বিয়াতো দুই এজনে তেওঁৰ বয়স আৰু শক্তিহীনতালৈ ইঙ্গিত কৰি যে অন্তৰায় উপস্থিত কৰিবৰ চেষ্টা নকৰিছিল এনে নহয়। শেষত কিন্তু ধৰ্ম্ম আৰু শাস্ত্ৰৰেই জয় হল।

চিৰস্তাদাৰ যে এজন সাত্ত্বিক পুৰুষ হে এনে নহয়—তেওঁ এজন বৈদান্তিকো। "ত্বয়া হৃষিকেশ হৃদিস্থিতেন যথা নিযুক্তোঽস্মি তথা কৰোমি" এইষাৰ শ্লোক তেওঁৰ মুখত সদায় লাগি আছেই। পৰম পুৰুষ যন্ত্ৰী—তেওঁ মাথোন যন্ত্ৰ। হৃষীকেশে তেওঁক যেনেকৈ চলাইছে সেইমতেই তেওঁ চলিছে। তেওঁ কেৱল নিমিত্তমাত্ৰ। পৰম পুৰুষৰ ইচ্ছা নোহোৱা হলে তেওঁ বা এই মায়া-মোহৰ সংসাৰত তৃতীয় বিবাহ কৰিব লগাত পৰিল হয় কেনেকৈ ?

চাৰি

সেউতী বাপেকৰ ঘৰলৈ গল হয় কিন্তু পৰমপুৰুষ হৃষীকেশে চিৰস্তাদাৰৰ হিয়াত ভালকৈ থিতি লৈ তেওঁৰ শোৱন-খাৱনত বাপ নোহোৱা কৰি তেওঁক খিটখিটীয়া কৰি তুলিলে আৰু হা-হুমুনিয়াৰে তেওঁৰ গোটেই অন্তৰটো ভৰাই দিলে।

সেউতী যোৱাৰ পিছদিনা দুপৰীয়া বুকুত বিৰহ আৰু বেজাৰৰ বোজা লৈ ভাত খাবলৈ গৈ এগৰাহ মুখত দিওঁতেই আঞ্জাত লোণৰ প্ৰাদুৰ্ভাৱ দেখি বঢ়া ভাত বঢ়াতে এৰি বান্ধনিৰ পিঠিত চিৰস্তাদাৰে ঔ পাৰিলে। এমোকোৰা খুন্দা তামোল মুখত সোমাওঁতেই চূণে তেওঁৰ মুখ ডাকি পেলোৱাত চাকৰ মনায়ে ভালকৈয়ে এপিটনি পালে। তেওঁৰ অফিচৰে কেৰাণী কৃপাল চন্দ্ৰই তেওঁক দেখিও প্ৰণাম নজনোৱাত কৃপাল অমনোযোগী বুলি বৰচাহাবলৈ তেওঁ নোট মাৰি পঠালে। চাপৰাচি চক্ৰধৰে তেওঁৰ মেজখন ভালকৈ চাফ-চিকণকৈ নৰখা বুলি সেইদিনাৰ তাৰ দৰমহা কাটিলে। ৰেভিনিও পেস্কাৰে আজি তিনি দিনেও চিৰস্তাদাৰৰ আদেশমতে এটা খছৰা তৈয়াৰ কৰিব নোৱাৰাত তেওঁক ফয়ছলা নবিছৰ কামলৈ বদলি কৰিলে। বাকীজাইৰ কেৰাণীয়ে বাকীজাইৰ লিষ্ট তেওঁৰ আগত ঠিক এঘাৰ বজাতে পেচ নকৰাত ভালকৈয়ে এসেকা পালে। নাজিৰ নকুলচন্দ্ৰই চিৰস্তাদাৰৰ মনোভাব বুজিব নোৱাৰি আগৰ দৰে এবাৰ তেওঁৰ ওচৰলৈ গৈ কি এটা কথা কবলৈ মুখ মেলোঁতেই এটা ধনঞ্জয় ভেকাহি খালে।

কিন্তু সৱাতোকৈ চিৰস্তাদাৰৰ কোপৰ মাত্ৰা চৰিল মাউৰা কিণাৰাম তৌজিনবিছৰ গাত। এই কিনাৰামেই তো সকলো অনিষ্টৰ সকলো অনৰ্থৰ মূল। এওঁৰ কাৰণেই তো সেউতীৰ গৃহত্যাগ আৰু চিৰস্তাদাৰৰ লটিঘটি।

কিবা এটা কথা বুজিব নোৱাৰি কিনাৰামে এসোপা কাকত লৈ সেমেনা-সেমেনিকৈ চিৰস্তাদাৰৰ ওচৰ চাপিল। কিনাৰামক দেখা মাত্ৰেই চিৰস্তাদাৰৰ খং গৈ তেওঁৰ ব্ৰহ্মতালুত খুন্দিয়াবলৈ ধৰিলে। কিনাৰামৰ হাতৰপৰা কাকতবোৰ লৈ দলিয়াই পেলাই পোন্দোৱা-পুন্দিকৈ কিছুপৰ কিনাৰামলৈ চাই থাকি চিৰস্তাদাৰে মাত লগালে—" চোৱা কিনাৰাম, জন্মগত আৰু সহজাত গুণ নাথাকিলে কোনেও ভাল কেৰাণী হব নোৱাৰে। "ক্লাৰ্কচ্ আৰ বৰ্ণ, নট মেইড্।" কাম পাইছা হয় কিন্তু কাম চম্ভালি খোৱাতহে কেৰাণীৰ কৃতিত্ব। সময় নাই,অসময় নাই এনেকৈ আহি মোক জুলুম নকৰিবা। তুমি দৰমহা খাবা আৰু মই তোমাক কাম শিকাই দিম এই কথা নেচেল। তোমাৰ প্ৰথম কচুৰ বুলি বাৰু এইবাৰলৈ এক্সকিউজ্ কৰিলোঁ। যদি কাম বুজিব নোৱাৰা তেন্তে এৰি থৈ যোৱা।"

কিনাৰামৰ কচুৰ কি বুজিব নোৱাৰি বেচেৰাই কাকত পত্ৰবোৰ বুটলি লৈ নিজৰ ঠাইলৈ গৈ আকাশ-পাতাল ভাবিবলৈ ধৰিলে।

কেৰাণীকুলৰ অন্তৰ কঁপি উঠিল। মাজতে এবাৰ চিৰস্তাদাৰ চাহাবৰ ওচৰলৈ যোৱাত হেড্ ক্লাৰ্ক আহি কেৰাণীসকলক ঠাঁৰে-চিয়াৰে বুজাই গল যে চন্দ্ৰধৰে কাম নোপোৱাৰ হোৰ চিৰস্তাদাৰে কাৰ ওপৰত তোলে তাৰ ঠিক নাই।

পাঁচ

এইদৰে কেৰাণীসকলৰ আতঙ্কত কিছু দিন গল। এদিন হঠাতে যেতিয়া বৰ্ত্তমান অৰ্থসঙ্কটৰ দিনত গৱৰ্ণমেণ্টে পতা খৰচ কমোৱা কমিটিৰ সিদ্ধান্তবোৰ আহি প্ৰলয় ধূমকেতুৰ দৰে কাছাৰীত উপস্থিত হল তেতিয়া কাছাৰীত হুলস্থূল পৰিল। সকলোৰে মনত চাঞ্চল্যই দেখা দিলে। সৰহীয়া বেতন পোৱা কেৰাণীসকলৰ মুখ শুকাল।

কোনোৱে দোষ দিলে গান্ধীক, কোনোৱে দোষাৰোপ কৰিলে ইংৰাজৰ মহতকৈ শিং চৰা শাসন পদ্ধতিত। কমিটিৰ আৰু এটা প্ৰস্তাৱ আছিল দেৰকুৰি বছৰ বা ততোধিক কাল যিসকলে বিষয় ভোগ কৰি আহিছে সেইসকলক কামৰ কোনো ক্ষতি নোহোৱাকৈ এৰি দিব পাৰিলে পেঞ্চন দি কামৰপৰা অৱসৰ লোৱাব লাগিব। আজি কিছু দিনৰেপৰা কেৰাণীসকলৰ ওপৰত চিৰস্তাদাৰৰ অত্যাচাৰৰ মাত্ৰা দিনকদিনে বেছি হোৱাত কেৰাণীসকলে পেটে পেটে এই প্ৰস্তাৱটোৰ শলাগ লৈ মুখত বেজাৰৰ ভাব দেখুৱাই যেতিয়া তেওঁলোক তেওঁৰ ওচৰ চাপিল তেতিয়া নিৰ্ব্বিকাৰচিত্ত চিৰস্তাদাৰৰ মুখেদি মাথোঁ ওলাল—"আমাৰ এতিয়া ৰাজসিক কামত সময় কটোৱাৰ দিন আৰু নাই। মই আজি অনেক দিনৰেপৰা যাওঁ যাওঁ কৰিও কেৱল চাহাবে নেৰাতহে ইমানদিনে মুকলিমূৰীয়া হব পৰা নাছিলোঁ। এতিয়া তেও পৰম পুৰুষে চকু মেলি চাইছে।" কিন্তু পৰম পুৰুষৰ তেওঁৰ প্ৰতি মেলা চকু জপোৱাবলৈ চিৰস্তাদাৰে ভিতৰি ভিতৰি চেষ্টাৰ ত্ৰুটী নকৰিলে। বৰচাহাবেও বোলে বুজি উঠিল চিৰস্তাদাৰৰ দৰে এজন বিচক্ষণ প্ৰবীণ কৰ্ম্মচাৰীক কামৰপৰা অৱসৰ দিলে নিয়মিত সময়ত মৌজাদাৰসকলৰপৰা খাজনা আদায় কৰাত বিঘিনি মিলিব।

কিন্তু বিশ্বাসং নৈব কৰ্ত্তব্যং স্ত্ৰীষু ৰাজকুলেষু চ। আজি প্ৰায় দেৰকুৰি বছৰ কাছাৰীত কাম কৰি চুলি পকোৱা চিৰস্তাদাৰে এই কথা হাৰে হাৰে বুজিছিল। কেতিয়া কোন সময়ত ঘপহকৰে তেওঁক কামৰপৰা অৱসৰ দিয়ে তাৰ ঠিকনা নাই। কামৰপৰা গলে যে তেওঁ দাঁত ভগা সাপ হব আৰু তেতিয়া যে তেওঁলৈ ৰাজপুৰুষেই হওক বা অইনেই হওক কোনেও কেৰাহিকৈয়ে নাচাব এই কথাও তেওঁ ধ্ৰুব সত্য বুলি ধৰি লৈছিল। ইফালে তেওঁ থাকোঁতেই চন্দ্ৰৰ এটা দিহা লগাব নোৱাৰিলে তেওঁৰ সেউতীয়ে যে ধনু ভঙ্গা পণ ভঙ্গ কৰি তেওঁৰ ওচৰ চাপিব তাৰো তেওঁ কোনো আগন্তুক নেদেখিলে।

ইয়াৰ ভিতৰতেই বিৰহী চিৰস্তাদাৰে দুবাৰো সেউতীৰ ওচৰলৈ গৈ অনেক সাধ্য-সাধনা কৰিছিল। এডাল পাঁচশটকীয়া সোণৰ হাৰো সেউতীক উপহাৰ দিছিল গৈ। কিন্তু সেউতীয়ে যেতিয়া সকলো উপেক্ষা কৰি চিৰস্তাদাৰৰ বুকুত জলি থকা বিৰহৰ অগনিত ঘিঁউ ঢালি একপ্ৰকাৰে খেদিয়েই পঠালে তেতিয়া কিনাৰামৰ প্ৰতি তেওঁৰ আক্ৰোশৰ মাত্ৰা আৰু চৰি উঠিল। হৃষীকেশক হৃদয়ত স্থিত কৰাই লৈ তেওঁ চন্দ্ৰৰ কৰ্ম্মপ্ৰাপ্তিৰ বিষয়ে সুযোগ অন্বেষণ কৰিবলৈ ধৰিলে।

ছয়

চিৰস্তাদাৰৰ সুযোগ কিন্তু সোনকালেই মিলিল। উদ্যোগী পুৰুষৰ প্ৰতি ভাগ্যলক্ষ্মী সুপ্ৰসন্ন হল।

সিদিনা কিনাৰামে দৰমহা পাই জেউতিলৈ এবটল তেল আৰু ভাল মাছ তৰকাৰী কিনি লৈ ঘৰ সোমাল। কিন্তু ঘৰত চাকি জলা নেদেখি এটা অজানিত আশঙ্কাত তেওঁৰ বুকু কঁপি উঠিল। শেষত শয্যাত যেতিয়া জেউতিক সংজ্ঞাহীন অৱস্থাত পৰি থকা দেখিলে তেতিয়া বেচেৰাই হাতৰ বস্তু দলিয়াই জেউতিক আকোৱালি ধৰিলেগৈ। কিনাৰামৰ সুখদুখৰ একমাত্ৰ লগৰীয়া কিনাৰামৰ প্ৰাণৰ শক্তি সেৱাপৰায়ণা এই জেউতি তেওঁৰ অবিহনে...। কিণাৰামে আৰু ভাবিব নোৱাৰিলে। তেওঁৰ অনুমান হল যেন গোটেই ভৱিষ্যতে দাৰুণ দুৰ্ভেদ্য অন্ধকাৰৰ মূৰ্ত্তি লৈ জিভা মেলি তেওঁক গ্ৰাস কৰিবলৈ উদ্যত হৈছে।

পিছদিনা ওচৰৰে এজনী বুঢ়ীৰ হাতত ক্ষন্তেকলৈ জেউতিক গতাই দি বেচেৰা কিনাৰামে কাছাৰীত চিৰস্তাদাৰৰ কাষ চাপি কন্দনামুৱা হৈ কলে—"মোক সাদিনৰ ছুটী দিয়ক। ঘৰত পৰিবাৰক চাবলৈ চিন্তিবলৈ কোনো নাই।"

"দুখৰ কথা। বাৰু দৰ্খাস্তখন দিয়া, চাহাবক ধৰোঁগৈ। কিন্তু আজিকালি ৰেভিনিও কালেক্শ্যনৰ দিন, কি হয়।"

দৰ্খাস্ত লৈ চিৰস্তাদাৰ বৰচাহাবৰ ওচৰ পালেগৈ আৰু নানা কথাৰে কিনাৰাম যে কামত অপটু আৰু কাম দেখিলে ভয় খাই পিছ হুহকা বিধৰ মানুহ বৰচাহাবক বুজাই দি ছুটীৰ দৰ্খাস্ত নামঞ্জুৰ কৰাই লৈ আহিল।

কিনাৰামৰ বিপদত চিৰস্তাদাৰৰ শোক উথলি উঠিল।

বেজাৰেৰে কলে, "বোপা তুমি মোৰ বন্ধুৰ ল'ৰা। কেতিয়াবা নিজৰ ল'ৰা যেন ভাবি তোমালোকক দুষাৰ এষাৰ টান কথা কওঁ। জানো তোমালোকে তাত বেয়া নোপোৱা বুলি। তোমাৰ এই বিপদত সহায় কৰিব নোৱাৰি যে কি শোক পাইছোঁ তাক নেদেখা জনে দেখিছে। চাহাবক ইমান বুজালোঁ—তোমাৰ হৈ ইমান কাকুতি-মিনতি কৰিলোঁ—ওহঁ নটলিল। সেই একে কথা—বৰ্ত্তমানে এই খাজনা তোলাৰ সময়ত কাকো ছুটী দিব নোৱাৰে। হৰি হে দীনবন্ধু, এয়েই গোলামীৰ সুখ। নিজৰ তিৰোতা মৃত্যুশয্যাত তাতো আমাৰ ছুটী নিমিলে।"

অলপ পৰ টলকা মাৰি হৃষীকেশক চিন্তি লৈ চিৰস্তাদাৰে ফুচ্‌ফুচাই কিনাৰামক পুনৰ কলে—"বাৰু তুমি এতিয়া যোৱা মোৰ দায়িত্বতেই আজি তোমাক পঠালোঁ। কালিলৈ ঘৰৰপৰাই ছুটীৰ দৰ্খাস্ত দিবা। আকৌ এবাৰ তোমাৰ হৈ চাহাবৰ ওচৰত কান্দি চাম।"

আত্মগ্লানি আৰু ধিক্কাৰে কিনাৰামৰ শৰীৰৰ তেজ শুহি পেলালে। কিনাৰামৰ দুৰ্ব্বল দেহক কাছাৰী ঘৰৰপৰা কিহে ঠেলি হেঁচি নি জেউতিৰ ওচৰ পোৱালেগৈ তাক বপুৰাই ধৰিবই নোৱাৰিলে।

দুদিন দুৰাতি কিনাৰামে যুজি জেউতিক মৃত্যুমুখৰপৰা ফিৰাই আনি তৃতীয় দিনা হৰ্ষ-গৌৰৱৰ অনাবিল আনন্দৰ চিন মুখত লৈ কাছাৰী ঘৰত সোমাল। কিন্তু তেওঁৰ ঠাইত চিৰস্তাদাৰৰ জেঠেৰিয়েক চন্দ্ৰক তৌজীৰ আহল-বহল বহীৰ পাতবোৰ মেলি থকা দেখি কিনাৰাম উচপ খাই উঠিল। বেচেৰাৰ বুজিবৰ বাকী নাথাকিল যে তেওঁৰ কপাল ভাগিল, তেওঁৰ কেৰাণী জীৱনৰ ওৰ পৰিল। তেওঁৰ ভৰিৰ তলৰ পৰা পৃথিবী আঁতৰি গল। এটা দীঘল হুমুনিয়াহ কাঢ়ি কিনাৰাম বহি পৰিল।

অলপ পিছতে চিৰস্তাদাৰে কিনাৰামক মাতি নি প্ৰবোধ দি কলে—"বোপা, দৰ্খাস্ত পায়েই চাহাব জ্বলি-পকি উঠিল—টুকুৰাটুকুৰকৈ দৰ্খাস্ত ফালি তোমাক কামৰপৰা অৱসৰ দিছে। ডিচিপ্লিন বৰ ডাঙৰ জিনিছ বোপা। চাহাবৰ তোমাৰ হৈ মাত্ৰ ভৰিত হে নধৰিলোঁ, কিন্তু তেওঁ মন ঘূৰাব নোৱাৰিলোঁ। কাম পালা হয় কিন্তু কাম ৰখাই খাব নোৱাৰিলা। মই কোৱা কথা আষাৰ বোধ কৰোঁ বোপাৰ মনত থাকিব পায়—ক্লাৰ্কচ আৰ বৰ্ণ, নট্ মেইড্। এই চন্দ্ৰৰ গাতো কেৰাণীৰ ভাল লক্ষণ দেখা নাই। তেৱোঁ যে টিকি পেটৰ ভাত মোকোলাব পাৰিব তাত মোৰ সন্দেহ আছে। আপোন মানুহক মোৰ কিন্তু কেৰাণীৰ কামত সুমাবৰ মনেই নাছিল বোপা। কিন্তু চাহাবে কেনেকৈ জানিলে চন্দ্ৰই আগতে কাছাৰীত কিছুদিন কাম শিকা বুলি। টেলিগ্ৰাম দি তেওঁক মতাই ননালৈকে মোৰ তত হেৰুৱালে। বোপা! মনত বৰ দুখ পালোঁ। যোৱা ঈশ্বৰে তোমাৰ মঙ্গল কৰক। হৰি হে দীনবন্ধু!"

সাত

"সোনকালেই কাছাৰীৰপৰা আহিল দেখোঁ—" ৰোগ শয্যাৰপৰা জেউতিয়ে সুধিলে।

কিনাৰামৰ মুখৰ মাত হৰিল।

"কি হৈছে আপোনাৰ? মুখখন ইমান শেঁতা পৰিছে কিয়?"

"শুনিবা জেউতি?—আজিৰপৰা মোৰ কেৰাণী জীৱনৰ লীলা সাং হল।"

"কি দোষত?"

দোষ এই—অপৰাধ এই—মোৰ নিমিত্তে চিৰস্তাদাৰৰ জেঠেৰিয়েক চন্দ্ৰই বহি থাকিব লগা হৈছিল।"

"বেজাৰ নকৰিব। বলক আমাৰ গাৱঁৰ ঘৰতে দুখীয়াৰ দুখীয়া অৱস্থাৰে শুদাই-নিকাই এগাল খাই দিন নিয়াওঁগৈ।"

"তাৰো যে বাট বন্ধ জেউতি! পোন্ধৰশ টকাত মাটি-বাৰী, ঘৰ-দুৱাৰ বৰদেউতাক বন্ধক দি জিলালৈ আহি কেৰাণী কামৰ কাৰণে চিৰস্তাদাৰৰ বৰ পেটত ভৰালো হেজাৰ টকা। উঃ কি পাষণ্ড, টকাও খালে আৰু দুমাহ নৌ হওঁতেই কামৰপৰাও খেদালে!"

দুয়ো দুয়োৰো মুখলৈ চাই ৰল। আৰ্ত্তৰ দীঘল হুমুনিয়াহৰ মাজেদি বক্ষপঞ্জৰ বিদীৰ্ণ কৰি এটি মৰ্ম্মন্তুদ তীব্ৰ হাহাকাৰ বাহিৰ হল। নাজানো সেই হাহাকাৰৰ আলোড়নত চিৰস্তাদাৰৰ হিয়াত থিতাপি লোৱা পৰমপুৰুষ হৃষীকেশ কঁপি উঠিছিল নে নাই।

তেজপুৰৰ পুৰাবৃত্ত

—ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা

নাটক পৰ্ব্বত

তেজপুৰ জিলাৰ দক্ষিণে নদৰাজ মহাবাহু ব্ৰহ্মপুত্ৰ; উত্তৰে অঁকা-দফলা থকা চিৰশ্যামল পৰ্ব্বতমালা। এই পৰ্ব্বতমালাৰ মাজত মণি-মাদলিৰ দৰে "নাটক" পৰ্ব্বত বিৰাজ কৰিছে। খৰালি আকাশ নিৰ্ম্মল থাকিলে এই পৰ্ব্বতমালাৰ শুভ্ৰ কিৰীটি স্বৰূপ নাটক শৈলৰ চিৰ-তুষাৰাবৃত ধবল চূড়া সুন্দৰকৈ দেখা পোৱা যায়। "কালিকা পুৰাণত" এই নাটক পৰ্ব্বতৰ বিষয়ে এইদৰে লিখা আছে:—

ঐশান্যাং নাটকে শৈলে শঙ্কৰস্য মহাশ্ৰমম্।
নিত্যং বসতি তত্ৰেশস্তদধীনা চ পাৰ্ব্বতী॥ ৬৮॥

অৰ্থাৎ, কামৰূপৰ ঈশান কোণত নাটক পৰ্ব্বতত শঙ্কৰৰ মহাশ্ৰম আছে। তাত পাৰ্ব্বতীৰে সৈতে মহেশ্বৰ নিতৌ বাস কৰে।

তত্ৰাস্তি সৰসী ৰম্যা সুসম্পূৰ্ণ মনোহৰা।
সৰ্ব্বদা স্বচ্ছসলিলা প্ৰফুল্লকমলোৎপলা॥ ১২৫
তস্যাস্তীৰে তু বিপুলঃ সুমনোজ্ঞো হৰাশ্ৰমঃ।
ৰক্ষতে নৃপশাৰ্দ্দূল নৃত্যবাদন তৎপৰৈঃ॥ ১২৬
যস্মান্নটতি তত্ৰেশো নিত্যং কৌতুক তৎপৰঃ।
তস্মান্নাটকনাম্নাসৌ শৈলৰাজঃ প্ৰগীয়তে॥ ১২৭
ছত্ৰাকাৰন্তু তং শৈলং মনোজ্ঞং শঙ্কৰপ্ৰিয়ম্।

—কালিকা পুৰাণ, একপঞ্চাশ অধ্যায়।

সেই নাটক পৰ্ব্বতত চিৰনিৰ্ম্মল পানীৰে ভৰপূৰ প্ৰফুল্ল কমল আৰু উৎপল থকা সুদীৰ্ঘ পৰম ৰমণীয় এটি সৰোবৰ আছে; তাৰ পাৰত প্ৰশস্ত অতি মনোহৰ হৰৰ আশ্ৰম দেখিবলৈ পাবা। হে নৰশাৰ্দ্দূল, তাত দেৱদানৱ, কিন্নৰ প্ৰমথাদিয়ে সদায় নৃত্যবাদন কৰে। তেওঁলোকৰ নৃত্য বাদনত যোগ দি কৌতুকপৰায়ণ হৈ স্বয়ং মহাদেৱেও তাত নৃত্য কৰে। তেওঁলোকে নটন অৰ্থাৎ নাচ-বাগ কৰাৰ নিমিত্তেই সেই পৰ্ব্বতটোৰ নাম নাটক হৈছে। এই নাটক পৰ্ব্বতটো ছত্ৰাকাৰ, শঙ্কৰৰ প্ৰিয় আৰু মনোহৰ।

অস্তি নাটকশৈলে তু সৰো মানসসন্নিভম্।
যত্ৰ সাৰ্দ্ধং শৈলপুত্ৰ্যা জলক্ৰীড়াং সদা হৰঃ।
কুৰুতে নৰশাৰ্দ্দূল স্বৰ্ণপঙ্কজশোভিতে॥ ১৩
তস্যপশ্চান্মধ্যপূৰ্ব্বভাগেভ্যস্তু সৰিত্ৰয়ম্।
অৱতীৰ্ণং প্ৰযাত্যেষ দক্ষিণং সাগৰং প্ৰতি॥ ১৪
তস্য পশ্চিমভাগে তু নদী দিক্কৰিকাহ্বয়া।
দিগ্‌গজক্ষত সঞ্জাতা তেন দিক্কৰিকাহ্বয়া॥ ১৫
মধ্যভাগাৎ সৃতা যা তু শঙ্কৰেণাৱতাৰিতা।
বৃদ্ধগঙ্গাহ্বয়া সা তু গঙ্গেৱ ফলদায়িনী॥ ১৬
যা নিঃসৃতা পূৰ্ব্বভাগাত্তস্মাদ্গিৰিবৰান্নদী।
সুবৰ্ণস্ৰাৱিণীখ্যাতা সা গঙ্গা সদৃশী ফলে॥ ১৭
কুৰ্ব্বত্যাঃ সৰসি স্নানং পাৰ্ব্বত্যাশ্চ শৰীৰতঃ।
নিঃসৃতাঃ স্বৰ্ণকণিকাস্তা বহন্তি জলৈৰিমাঃ॥ ১৮
ক্ৰীড়াৰ্থং শম্ভুনা গাত্ৰে কণিকাভিঃ সমাচিতাঃ।
স্বস্থানাত্তত্ৰ সংলগ্নাস্ততশ্চন্দন বিন্দবঃ॥ ১৯
তা উমায়াঃ শৰীৰাত্তু সংস্ৰৱন্তি জলৈঃসহ।
ততঃ স্বৰ্ণবহা নাম স্বৰ্ণশ্ৰীঃ সৰ্ব্বোতোঽধিকা॥ ২০
এতাসু চৈত্ৰমাসন্তু স্নাত্বা মৰ্ত্ত্যো নৰৰ্ষভঃ।
কৃষ্ণপক্ষে চতুৰ্দ্দশ্যাং ত্ৰিকালং যত্ৰ মানবঃ॥ ২১
চিৰং দেৱীগৃহে স্থিত্বা শেষে ব্ৰহ্মগৃহং ব্ৰজেৎ।
ভূমাৱগতঃ পশ্চাৎ সাৰ্ব্বভৌমো নৃপো ভৱেৎ॥ ২২
বৃদ্ধগঙ্গাজলস্যান্তস্তীৰে ব্ৰহ্মসুতস্য বৈ।
বিশ্বনাথাহ্বয়ো দেৱঃ শিৱলিঙ্গসমন্বিতঃ॥ ২৩
বিশ্বদেৱী মহাদেৱী যোনিমণ্ডলৰূপিণী।
হয়গ্ৰীৱেন যুযুধে তত্ৰ দেৱো জগৎপতিঃ॥ ২৪

হয়গ্ৰীবং যত্ৰ হত্বা মণিকূটং পুৰাগতম্।
তত্ৰ যঃ পূজয়েদ্দুৰ্গাং শাৰদাং তন্ত্ৰমন্ত্ৰকৈঃ ॥ ২৫
হয়গ্ৰীবস্য মন্ত্ৰেণ তন্ত্ৰেণ গৰুড়ধ্বজম্।
কামেশ্বৰস্য তন্ত্ৰেণ মন্ত্ৰেণাপি চ শঙ্কৰম্ ॥ ২৬
যো যজেৎ পৰয়া ভক্ত্যা দ্বাদশ্যাং সমুপোষিতঃ।
অষ্টম্যাঞ্চ চতুৰ্দ্দশ্যাং তস্য পুণ্যফলং শৃণু ॥ ২৭
কল্পকোটিত্ৰয়ং স্থিত্বা শিবগেহে গৃহে হৰেঃ।
তাবন্তং সংস্থিতঃ কালস্তাবন্তঞ্চ শিবগৃহে।
শেষে ভুবং সমাসাদ্য বেদবিদ্‌ব্ৰাহ্মণোভবেৎ ॥ ২৮

—কালিকা পুৰাণ, অশীতিতম অধ্যায়।

অৰ্থাৎ,নাটক পৰ্ব্বতত মানস সৰোৱৰৰ নিচিনা এটি সৰোৱৰ আছে। হে নৰশাৰ্দ্দূল, স্বৰ্ণ-পদ্মেৰে সুশোভিত এই সৰোৱৰত মহাদেৱে পাৰ্ব্বতীৰে সৈতে সদায় জল-ক্ৰীড়া কৰে। সেই পৰ্ব্বতৰ পশ্চিম, মধ্য আৰু পূৰ্ব্বভাগৰ পৰা তিনিখন নদী ওলাই দক্ষিণ সাগৰৰ ফালে বৈ গৈছে। পশ্চিম ফালৰ পৰা ওলোৱা নৈখনৰ নাম দিক্কৰিকা (এতিয়া দিক্কৰিকাৰ নাম দিকৰাই হৈছে); দিগ্-হস্তীবিলাকৰ আঘাতত সেই নৈখনৰ উৎপত্তি হোৱা বাবে তাৰ নাম হৈছে দিক্কৰিকা। যিখন নৈ মধ্যভাগৰ পৰা ওলাইছে, স্বয়ং শঙ্কৰে নমাই অনা সেই নদীখনৰ নাম বৃদ্ধগঙ্গা (বুঢ়ীগাং); বৃদ্ধগঙ্গা গঙ্গাৰ নিচিনা ফলদায়িনী। যিখন নৈ নাটক পৰ্ব্বতৰ পূবফালৰ পৰা ওলাইছে, সেইখন সুবৰ্ণস্ৰাৱিণী নৈ, অৰ্থাৎ সেই নৈৰ পানীৰ লগত সোণ বৈ আহে। এইখন নদীও গঙ্গাৰ নিচিনা ফলপ্ৰদা। পাৰ্ব্বতীয়ে স্নান কৰোঁতে তেওঁৰ গাৰ পৰা যিবিলাক স্বৰ্ণকণিকা সৰি পৰে, এই নদীয়ে ধীৰে ধীৰে তাকে বৈ লৈ আহে; শম্ভুৱে ক্ৰীড়াৰ সময়ত পাৰ্ব্বতীৰ গাত স্বৰ্ণকণিকাৰ লগত যি চন্দনবিন্দু অৰ্পণ কৰে, স্নানৰ সময়ত সেই স্বৰ্ণকণিকা আৰু চন্দনবিন্দু এই নৈখনৰ পানীয়ে ধুই লৈ আহে, সেই কাৰণে এই সৰ্ব্বশ্ৰেষ্ঠা স্বৰ্ণশ্ৰী নৈখনক স্বৰ্ণবহা বোলা যায়। (এই নৈখনৰ বৰ্ত্তমান চলিত নাম বৰগাং। আগেয়ে মানুহে এই নৈত সোণ কমাইছিল। ইয়াৰ সোণ অতি উত্তম বুলি প্ৰখ্যাত আছিল।)

হে নৰশ্ৰেষ্ঠ, চ'ত মাহৰ কৃষ্ণ চতুৰ্দ্দশীত সংযতচিত্তেৰে এইবিলাক পুণ্যসলিলা নদীত ত্ৰৈকালিক স্নান কৰিলে বহুকাল দেৱী-গৃহত থাকি শেষত ব্ৰহ্মলোকলৈ গতি কৰিব পাৰি। তাৰ পৰা আকৌ পৃথিবীত জন্মগ্ৰহণ কৰি সাৰ্ব্বভৌম নৃপতি হব পাৰি। বৃদ্ধগঙ্গাৰ পানীৰ মাজত ব্ৰহ্মপুত্ৰৰ পাৰত বিশ্বনাথ নামে শিৱলিঙ্গ আৰু যোনিমণ্ডল-ৰূপা মহাদেৱী বিশ্বদেৱী (চণ্ডী) আছে। পূৰ্ব্বকালত জগৎপতি বিষ্ণুৱে তাতে হয়গ্ৰীৱৰ লগত যুদ্ধ কৰি হয়গ্ৰীৱক বধ কৰি তাৰ পৰা মণিকূটলৈ প্ৰয়াণ কৰে। তাত যি লোকে দ্বাদশী, অষ্টমী আৰু চতুৰ্দ্দশীত উপবাসে থাকি শাৰদা মন্ত্ৰ আৰু পূজাক্ৰমানুসাৰে ভগৱতী দুৰ্গাক, হয়গ্ৰীৱ-মন্ত্ৰতন্ত্ৰানুসাৰে গৰুড়ধ্বজক আৰু কামেশ্বৰৰ মন্ত্ৰতন্ত্ৰানুসাৰে শঙ্কৰক ভক্তিৰে সৈতে পূজা কৰে, তেওঁ তিনি কল্পকাল শিৱলোকত, তিনি কল্পকাল বিষ্ণুলোকত আৰু তিনি কল্প দুৰ্গাধামত অৱস্থান কৰি অৱশেষত ভূলোকলৈ আহি বেদজ্ঞ ব্ৰাহ্মণ হৈ জন্মগ্ৰহণ কৰে।

শৃঙ্গটকা, শৃঙ্গগিৰি বা শিঙ্গৰি পৰ্ব্বত

কালিকাপুৰাণত লিখা আছে, এই শৃঙ্গাটক পৰ্ব্বতত মহাদেৱৰ এটি লিঙ্গ প্ৰতিষ্ঠিত আছে। সিদ্ধত্ৰিস্ৰোতা নামে এখন নদী শৃঙ্গাটক পৰ্ব্বতৰ পৰা ওলাই সেই পৰ্ব্বতৰ কানে কানে বৈ গৈ দক্ষিণ সাগৰত পৰিছে। সেই নৈখন শিৱৰ প্ৰিয়; সেই নৈত স্নান কৰি পৰ্ব্বতটোত আৰোহণ কৰি যি লোকে ভক্তিভাৱে লিঙ্গৰূপী শঙ্কৰক পূজা কৰে, তেওঁ শুদ্ধচিত্ত আৰু দিব্য কান্তিবিশিষ্ট হৈ ইহলোকত অতুলনীয় অভিলষিত বস্তু লাভ কৰে আৰু অন্তিমত শিৱলোকলৈ গৈ মুক্তি পায়।

এনে প্ৰবাদ আছে যে এই শিঙ্গৰি পৰ্ব্বতত ঋষ্যশৃঙ্গ মুনিৰ আশ্ৰম আছিল। জাৰকালি ভোটান তিব্বত আদি ঠাইৰ পৰা অনেক বৌদ্ধধৰ্ম্মাৱলম্বী লোকে শিঙ্গৰিলৈ আহি তাত পূজা কৰে। শিঙ্গৰি পৰ্ব্বতৰ ঠিক তলতে পশ্চিম ফালে "গোপেশ্বৰ" নামে শঙ্কৰৰ মন্দিৰ আৰু খটখটী থকা পকা কুঁৱা আছে। এই মন্দিৰটো শিল আৰু ইটাৰে নিৰ্ম্মিত। শিলৰ যিবিলাক কাৰুকাৰ্য্য আছে, সেইবিলাক চাব লগীয়া। ৺মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ

পিতৃ কুসুমবৰ ভূঞা আৰু তেওঁৰ মাতৃ সত্যসন্ধাদেৱীয়ে পুত্ৰ সন্তান লাভৰ কাৰণে শিঙ্গৰিৰ গোপেশ্বৰ মন্দিৰত তপস্যা কৰিছিল। পাছে শঙ্কৰৰ বৰত পুত্ৰলাভ হোৱাত পুত্ৰৰ নাম শঙ্কৰ ৰাখিছিল। বছৰি শিৱ-চতুৰ্দ্দশীত শিঙ্গৰিৰ গোপেশ্বৰ দেৱালয়ত বৰ সমাৰোহেৰে শিৱপূজা কৰা হয়। সেই উপলক্ষে মেলা বহে আৰু ভাওনা-সবাহ পতা হয়। শিঙ্গৰি পৰ্ব্বতলৈ উঠা বাটত ঠায়ে ঠায় শিলৰ খটখটী পোৱা যায়। তাত থকা শিলৰ কাৰুকাৰ্য্য আদি দেখিলেই সেই ঠাই যে এসময়ত এখন পৱিত্ৰ তীৰ্থ ঠাই আছিল, সেইটো বুজা যায়।

বৃষস্কন্ধ পৰ্ব্বত

দফলা পৰ্ব্বতমালাৰ "গৰু-চুকীয়া পৰ্ব্বত"টোকে আগেয়ে বৃষস্কন্ধ পৰ্ব্বত বোলা হৈছিল। এই পৰ্ব্বতত "বাদুলি খোৰোং" নামে এটা শিলৰ ঘৰ আছে। কিম্বদন্তিৰ পৰা জনা যায় যে সেই পৰ্ব্বতত মহাদেৱৰ উঠি ফুৰা বৃষ চৰিছিল।

ধনদা নদী

তেজপুৰ সদৰ মহকুমাৰ পশ্চিম সীমাত জীয়াধনশিৰী বা উত্তৰ ধনশিৰী নামে যিখন নদী আছে, "যোগিনীতন্ত্ৰ" মতে সেই নদীখনৰ নাম ধনদা। ওদালগুৰিৰ পৰা কেই মাইলমান উত্তৰত এই নৈখনৰ এটা কুণ্ড আছে। সেই কুণ্ডটোৰ নাম ভৈৰৱ কুণ্ড। মৰা-ধনশিৰীৰ নাম ৰৌটা আছিল, তাৰ পাৰত মহাপুৰুষ শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষসকল আছিল।

দীপৱতী নদী

কালিকা পুৰাণত উল্লেখ কৰা "দীপৱতী" নদীখনেই এতিয়াৰ দীপোতা নৈ আৰু বেলশিৰী নৈখনেই "বিল্ব-বেদিকা" হব পায়।

ভট্টাৰিকা নদী

এতিয়া যিখন নদীক আমি ভৰলী বোলোঁ সেইখনেই আগৰ ভট্টাৰিকা নদী। অতীজত মৰা-ভৰলী আৰু জীয়া-ভৰলী মিলি এখন নৈ হৈ বৈছিল। সেই নৈৰ পৰা নলা কাটি বাণৰজাই শোণিতপুৰ নগৰৰ জলদুৰ্গ তৈয়াৰ কৰিছিল। এতিয়া সেই নলাবিলাককে মানুহে হোলা বোলে। "কালিকা পুৰাণত" ভট্টাৰিকাৰ বিষয়ে এইদৰে লিখা আছে :—

ততো ভট্টাৰিকা নাম হিমশৈল সমুদ্ভৱা।
মহানদী দেৱগণৈৰ্যা সদোপাস্যতে সুখম্ ॥
তস্যাং যা কুৰুতে স্নানং যুগাদিষু চতুৰ্ষ্বপি।
স যাতি পৰমং স্থানং তদ্বিষ্ণোঃ পৰমং পদম্ ॥ ১২

—অশীতিতম অধ্যায়

অৰ্থাৎ তাৰ পাছত হিমালয় পৰ্ব্বতৰ পৰা ওলোৱা ভট্টাৰিকা নামে মহানদী; দেৱতা সকলে পৰম সুখে এই নদীৰ পানী সেৱা কৰি থাকে। যি লোকে চাৰিটা যুগাদ্যা তিথিত সেই নদীত স্নান কৰে তেওঁ পৰমপদ বিষ্ণুলোকলৈ গতি কৰে।

দিক্কৰিকা নদী

ভট্টাৰিকাৰ পূবে দিক্কৰিকা বা দিকৰাই নদী। অনেকে ভৰলী নদীখনক ভৈৰবী বোলে। কিন্তু কালিকা পুৰাণৰ পৰা জনা যায় যে, হিমালয় পৰ্ব্বতৰ ওচৰত বিভ্ৰাট নামে এটা ডাঙৰ পৰ্ব্বত আছে। সেই পৰ্ব্বতত ভূতনাথ মহাদেৱ ভৈৰবৰূপে বাস কৰে; সেই পৰ্ব্বতৰ পৰা পুণ্যোদকা শুভা ভৈৰবী নদী ওলাই দক্ষিণলৈ বৈ গৈছে; সেই নদী মানসা নদীৰ পূবে। মানসাৰ বৰ্ত্তমান নাম মনাস, মনাহ বা মানাহা। ভৈৰবী ভোটানৰ পৰা ওলাই কামৰূপ জিলাৰ মাজেদি বৈ গৈছে। বোধকৰোঁ ভৈৰবীকে আজিকালি পগলাদিয়া বোলে।

দিকৰাই নৈৰ গুৰিত পশ্চিম ফালে লোণৰ পুং আছে। নৈৰ পাৰতে প্ৰতাপগড় আছে।

বৃদ্ধগঙ্গা নদী

এইখন নদীকে আমি বুঢ়ীগঙ্গা বা বুঢ়ীগাং বোলোঁ। এই নৈৰ মুখত পানীৰ মাজত বিশ্বনাথ শিৱৰ লিঙ্গ আছে। সেই লিঙ্গ থকা ঠাইৰ পশ্চিমে ব্ৰহ্মপুত্ৰৰ পাৰত বিশ্বদেৱী বা চণ্ডীৰ দেৱালয় আছে। পূবে উমা-বন বা উমা-টুমনিত ব্ৰহ্মপুত্ৰৰ পাৰত উমাৰ দেৱালয় আছে। "কালিকা

পুৰাণ"মতে মহাদেৱে নিজে এই নৈষন ভৈৱামলৈ নমাই আনি এই নৈৰ মুখত কিছুকাল তপস্যা কৰিছিল।

স্বর্ণবহা নদী

কালিকা পুৰাণত উল্লেখ কৰা এইখন নদীক আমি এতিয়া ৰবগাং বোলো। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে এইখন নৈৰ পাৰত গাঁওমী সত্ৰ স্থাপন কৰি কিছুকাল বাস কৰিছিল। ইয়াতেই তেওঁ "পাৱে পৰিহৰি, কৰোঁহো কাতৰি" ৰবগীতটো ৰচনা কৰিছিল। সত্ৰৰ অধিকখিনি ঠাই ৰবগাং নৈয়ে খহাই নিলে। তথাপি এতিয়ালৈকে আমাৰ অনেক মানুহে বাঁহবাবীত গৈ গাঁওমী থান সেৱা কৰে।

Dr Wade চাহাৰৰ অসমৰ ইতিহাসত ৰবগাং নৈৰ সোণৰ বিষয়ে এইদৰে লিখা আছে:—The gold found here is esteemed much superior even to the gold of the Dikrungh, the colour is deeper, and more vivid, compared by the natives to fire. It is deemed so much more precious than any other that the price even in Assam is eighteen to twenty rupees whereas the Dikrungh gold is only twelve or fourteen rupees per tola. • • • the gold is found in greatest quantity nearest the mountadus."

অন্যান্য নদী

"কালিকা পুৰাণ"মতে ৰবগাং নৈৰ পূবে নিৰ্ম্মলসলিলা কামা নদী। কামাৰ পূবে সোমাশনাৰ পূবে ব্ৰহ্মেদকা নদী। তাৰ পূবে কামৰূপ মহাপীঠৰ প্ৰাস্তভাগত মহামায়া জগজ্জননী দেবী দিকৰবাসিনী। দিকৰবাসিনীকে আমি দিক্‌ৰং বোলো। দিকৰং নৈষন পুৰণি হাৱমতি নগৰৰ কাষেদি বৈ গৈছে। এই নৈষন উত্তৰ লক্ষীপুৰ মহকুমাৰ ভিতৰত পৰিছে।. তেজপুৰ জিলাৰ মানচিত্ৰ চালে দেখা যায় যে ৰবগাং পাৰ হৈ তেজপুৰ জিলাৰ পূৰ প্ৰান্তলৈ গৈ থাকিলে ৰাটত বিহালি, বৰতী বা বেদৱতী, ৰুৱৈ, চেঙেলিজান বা বলম, ব্ৰহ্মজান, বাগিজান, ডুবিয়া, খাৰৈ নৈ পোৱা যায়। ইয়াৰ বাহিৰে মিৰিকাক সৰু সৰু জান, ডুবি আছে, সেইবোৰ লেখত ধৰা নাই। উল্লিখিত নৈবিলাকৰ ভিতৰত ৰুৱৈ সৰাতকৈ ডাঙৰ। খাৰৈ নৈক পিছলা নৈৰ এটা সুঁতি বুলিব পাৰি। পিছলাৰ পাৰত আগৰ দিনৰ বিখ্যাত ফুলবাৰী দেওঘৰৰ ভগ্নাৱশেষ আছে। তাহানি আই-নামত গোৱা শুনিছিলো :—

"পিছলাৰে ঘাটে, আয়ে স্নান কৰে,
লাহৰ কেশতাৰি মেলি এ।
যাউতিমুহীয়া, আইবে শৰণীয়া,
পৰলৈ নিদিবা ঠেলি এ॥

• • • •

"পিছলাৰে ঘাটে, আয়ে পানী তোলে,
তামৰে কলসী লই এ,
ছঅঁবা বামুনে, চণ্ডীপাঠ কৰিছে,
ভৱানীক আগতে লই এ॥

• • • •

"পিছলাৰে পানী, আনাগই ভৱানী
ফুলবাৰী দেওঘৰৰ ঘাটে এ।

• • • •

"আইবে পাৱে মছা, কপাহী গামোছা,
আইবে কলি কটা পিন্ধা এ।
ৰব আই পাঁচিছে, সক আই আহিছে,
ফুলবাৰী নগৰৰ পৰা এ॥"

• • • •

"যোগিনী তন্ত্ৰৰ" উত্তৰ খণ্ডত লিখা আছে :—

"পিচ্ছিলা বা দক্ষিণতো গৌতমস্য মহাফলা।"

নাটকাৰণ্যৰ পূবে চম্পকাৰণ্য; চম্পকাৰণ্যৰ দক্ষিণে গৌতম ঋষিৰ মহাফলা পিচ্ছিলা নদী আছে। পিচ্ছিলা নদীকে আমি পিছলা কওঁ। সম্ভৱতঃ পিছলাৰ পাৰত ফুলবাৰী দেওঘৰত গৌতম ঋষিয়ে কোনো সময়ত আশ্ৰম পাতি বাস কৰিছিল। তেওঁ বোধ কৰোঁ তাত থাকি "ত্ৰিবিক্ৰম" শিৱক তপস্যা কৰিছিল। কাৰণ, "যোগিনী তন্ত্ৰত" লিখা আছে,—"পিচ্ছিলায়াং ত্ৰিবিক্ৰমঃ।"

দক্ষযজ্ঞত সতীয়ে শিৱ-নিন্দা সহিব নোৱাৰি প্ৰাণত্যাগ

কৰিলত শিৱই সতীৰ মৰা শৰটো কান্ধত লৈ বলিয়াৰ দৰে ঘুৰাত বিষ্ণুৱে সুদৰ্শন চক্ৰেৰে সেই শৰটো কাটি খণ্ড খণ্ড কৰে। য'ত য'ত সেই খণ্ডবিলাক পৰিল সেয়ে একোটা পীঠ বা তীৰ্থস্থান হল। সতীৰ মুখটো দিক্‌ৰবাসিনী বা দিক্‌ৰং নৈত পৰা বুলি কালিকা পুৰাণত লিখা আছে। সেই নিমিত্তে দিক্‌ৰবাসিনীক ললিতকান্তা বা চণ্ডী বা ৰবকালিকাও বোলা হয়। অতি পূর্ব্বে দিক্‌ৰঙ্গৰ পশ্চিম ফালে দেৱীৰ মন্দিৰ আছিল আৰু তাৰ কিছু পশ্চিমে মাগুনোয়া বিলৰ দাঁতিত চণ্ডীধৰ শিৱৰ মন্দিৰ আছিল। মন্দিৰ ভাগি যোৱাত কলাবাৰীত শিৱৰ মূর্ত্তিখন আনি স্থাপন কৰা হৈছে আৰু কলাবাৰীৰ দেউৰীগাঁৱত ৰবকালিকাৰ দেৱালয় পতা হৈছে। কলাবাৰী তেজপুৰ জিলাৰ পূৰ প্ৰান্তৰ এখন সমৃদ্ধিশালী গাঁও। তাত আহোম ৰজাৰ দিনৰ এটা পকী দ'ল আৰু ডাঙৰ পুখুৰী আছে।

ৰুৱৈ নৈক গাৰুলীয়া মানুহে 'ৰুৱৈ ডাঙৰীয়া' বোলে; আৰু জাৰকালি অনেক মুনিহ-তিৰোতাই মাহ-প্ৰসাদ তামোল-পাণ দি ৰুৱৈক সেৱা-সংকাৰ কৰে।

পুণ্যক্ষেত্ৰ

"যোগিনী তন্ত্ৰৰ" উত্তৰ খণ্ডত লিখা আছে :—

"কন্যাশ্ৰমং মহাক্ষেত্ৰং যত্ৰ কন্দ্ৰপ্ৰবন্ধৰং।
একাম্ৰকং পৰং ক্ষেত্ৰং যত্ৰ নাগাখ্য শঙ্কৰঃ॥
মানসং ক্ষেত্ৰকক্ষৈৰ যত্ৰ বিশ্বনাথো হৰঃ।
নাটকাৰণ্যকক্ষৈৰ চম্পকাৰণ্যকন্তথা॥
পিচ্ছিলা বা দক্ষিণতো গৌতমস্য মহাফলা।"

উক্ত তন্ত্ৰত এই কথাও লিখা আছে যে কন্যাশ্ৰমৰ শিৱৰ নাম কন্দ্ৰ আৰু একাম্ৰকাননৰ শিৱৰ নাম নাগশঙ্কৰ। কন্যাশ্ৰম ভোমোৰাগুৰি পৰ্ব্বতৰ পূবে ভৱনী নৈৰ মুখত। তন্ত্ৰমতে এইখন মহাক্ষেত্ৰ। ইয়াতেই চাবন ঋষিৰ পালিতা কন্যা কন্তকাই শিৱক স্বামী পাবৰ কাৰণে কঠোৰ তপস্যা কৰিছিল। কন্তকাৰ নামেই পাছত তাত এখন সমৃদ্ধিশালী গাঁও বহিছিল। পাছে, ভৱনী নৈয়ে সেই গাঁওখন ভাঙিলে। এতিয়া কন্তকাগাঁৱঁৰ একো চিন নোহোৱা হল। কিন্তু শিলত অদ্যাপিও কন্দ্ৰপদৰ চিন আছে। তেজপুৰৰ ওখৰি পৰ্ব্বততো এখন "কন্দ্ৰপদৰ" দেৱালয় আছে। তেজপুৰৰ নাগশঙ্কৰ গাৱঁত একাম্ৰকাননৰ আৰু নাগশঙ্কৰ দেৱালয় আছে।

তন্ত্ৰমতে বিশ্বনাথ মানসক্ষেত্ৰ। বিশ্বনাথকে গুপ্ত কাশীও বোলে। বিশ্বনাথত আহোম ৰজাৰ দিনৰ ইটা আৰু শিলেৰে সজা শিৱ, চণ্ডী আৰু উমাৰ মন্দিৰ আছে। কিন্তু আচল বিশ্বনাথ-শিৱ বৃহীগঙ্গাৰ মুখত ছয়মাহমান বৃহী গঙ্গা আৰু ব্ৰহ্মপুত্ৰৰ পানীৰ তলত ডুবি থাকে। খৰালি পানী শুকালে পুজাবীয়ে বালি খান্দি বিশ্বনাথ বাবাক পূজা কৰে। গাৰুলীয়া মানুহে কোৱা শুনিছোঁ, "বিশ্বনাথ বাবা ছমাহ পানীৰ তলত, ছমাহ বামত।"

কলংপুৰ মৌজাত কল্যাণী গোসাঁনীৰ দেৱালয় আছে। সিও পুণ্যক্ষেত্ৰ।

উমা-বন

উমা-বনক আজিকালি উমা-টুমনি বোলা হয়। এই মনোৰম ঠাইডোখৰ ব্ৰহ্মপুত্ৰৰ দাঁতিত বৃহীগঙ্গা নৈৰ মুখত। ইয়াত উমাৰ মন্দিৰ আছে, পুৰণিকলীয়া এটি পুখুৰী আৰু গড় আছে। প্ৰতাপসিংহ বা ভালুকপাং ৰজাৰ ৰাজত্বৰ কালত ব্ৰহ্মপুত্ৰ সকলক ইয়াতে বাৰি উপযুক্ত আচাৰ্য্যৰ হতুৱাই ধৰ্ম্মনীতি, ৰাজনীতি আৰু যুদ্ধবিদ্যা শিকা দিয়া হৈছিল। তেওঁৰ দিনৰ এখন শিলৰ ফলি, শিলত কটা চক্ৰবেহু, বাঘ-খেল আদি এতিয়াও উমা-টুমনিত আছে।

উমা-টুমনি এখন পৰম পৱিত্ৰ ৰমণীয় ঠাই। দক্ষ যজ্ঞত সতীয়ে তনু ত্যাগ কৰি আকৌ মহাদেৱক স্বামী লাভ কৰিবৰ কাৰণে হিমালয়ৰ ঘৰত জন্ম লয়। তেওঁৰ মাকৰ নাম মেনকা, বসন্তকালত মৃগশিৰা নক্ষত্ৰত নৱমী তিথিৰ মাজনিশা তেওঁৰ জন্ম হয়। বাপেক হিমালয়ে তেওঁক "কালী" বুলি মাতিছিল। বন্ধুবান্ধৱ সকলোৱে তেওঁৰ

নাম "পাৰ্ব্বতী" ৰাখিছিল। পাছে এদিন নাৰদ মুনিয়ে আহি তেওঁলোকক পাৰ্ব্বতীৰ পূৰ্ব্বজন্মৰ কথা কলে আৰু এই জন্মতো হৰক পাবৰ নিমিত্তে পাৰ্ব্বতীক তপস্যা কৰিবলৈ উপদেশ দি কলে যে তপস্যাৰ দ্বাৰা হৰক প্ৰসন্ন কৰিব পাৰিলে পাৰ্ব্বতীৰ গাৰ বৰণ সোণৰ নিচিনা আৰু কান্তি বিজুলীৰ নিচিনা হব আৰু তেতিয়াৰপৰা তেওঁৰ নাম "গৌৰী" হব। নাৰদৰ উপদেশমতে পাৰ্ব্বতীয়ে "ওঁ নমঃ শিবায়" মন্ত্ৰ জপ কৰি শঙ্কৰৰ ৰূপ হিয়াত ধাৰণ কৰি তপোবনত গৈ তপস্যা কৰিবৰ নিমিত্তে মাকৰ অনুমতি লয়। জীয়েকৰ কথা শুনি মাকে "উ মা" এই সম্বোধন কৰি তপোবনলৈ যাবলৈ নিষেধ কৰে। তেতিয়াৰ পৰা পাৰ্ব্বতীৰ নাম "উমা" হয়। জীয়েকে বৰকৈ ধৰাত গিৰি-ৰাজ আৰু মেনকাই তেওঁক তপোবনত গৈ তপস্যা কৰিবলৈ অনুমতি দিয়ে। পাছে হিমালয়ৰ নামনিত বৃদ্ধ গঙ্গাৰ মুখত য'ত মহাদেৱে পূৰ্ব্বে ওঠৰ বছৰ তপস্যা কৰিছিল পাৰ্ব্বতীয়ে সেই ঠাইত গৈ কঠোৰ তপস্যা কৰে। তেওঁৰ তপস্যাত প্ৰসন্ন হৈ অৱশেষত হৰই তেওঁক দৰ্শন দিয়ে; তেওঁ গৌৰীৰূপ পায়; আৰু হৰ-গৌৰীৰ মিলন আৰু শুভবিবাহ হয়। এই মিলনত হৰৰ দেহৰ আধাখিনিয়ে গৌৰীৰ ৰূপ ধাৰণ কৰাত তেওঁ "অৰ্দ্ধ নাৰীশ্বৰ" নাম পায়। ইয়াতে তপস্বিনী উমাৰ সাধনা সিদ্ধি হয়। তেওঁৰ তপোবনৰ নাম "উমা-বন" নামে প্ৰখ্যাত হল। এই সম্বন্ধে সবিশেষ জানিব খুজিলে কালিকা পুৰাণ, ব্ৰহ্মাণ্ড পুৰাণৰ ৪৩ অধ্যায়, জৈমিনি ভাৰতৰ ২১ অধ্যায় আৰু ত্ৰিকাণ্ডশেষ পঢ়ি চাব।

শোণিতপুৰ

বৰ্ত্তমান তেজপুৰ চহৰেই আগৰ দিনৰ শোণিতপুৰ নগৰ। কিন্তু শোণিতপুৰ ৰাজ্যখনৰ সীমা পূবে ধনদা নদীৰ পৰা পশ্চিমে দিক্‌ৰং নদীলৈকে, উত্তৰে হিমালয়ৰ পৰা দক্ষিণে নগাওঁলৈকে আছিল বুলি বোধ হয়। বাণৰ শোণিতপুৰ ৰাজ্যৰ পশ্চিম সীমাত তেওঁৰ পৰম মিত্ৰ নৰকাসুৰৰ প্ৰাগ্‌জ্যোতিষ ৰাজ্য আছিল। উষামঠৰ ওচৰত মন্দাকিনী বা ব্ৰহ্মপুত্ৰৰ পাৰত, গুপ্তকাশী বা বিশ্বনাথৰ পৰা কেইমাইলমান পশ্চিমে শোণিতপুৰ নগৰ আছিল বুলি "হৰিবংশ" পুথিৰ ১৭৪ অধ্যায়ৰপৰা জনা যায়। তেজপুৰৰ বামুণী পৰ্ব্বতত উষা-মঠৰ ভগ্নাৱশেষ আছে। "উষা-মঠৰ" পৰা কন্যাশ্ৰমৰ "ৰুদ্ৰপদ" বা "ৰুদ্ৰ-প্ৰয়াগ" বেছি দূৰ নহয়। বাণ ৰজা মহাদেৱৰ পৰম ভক্ত আছিল। তেওঁৰ আন এটা নাম "মহাকাল"। কোনো কোনোৱে তেওঁক "মহাভৈৰৱ" বুলিও সম্বোধন কৰিছিল। তেৱেঁই বিশ্বনাথত "গুপ্তকাশী" স্থাপন কৰিছিল, শোণিতপুৰ নগৰখন তেওঁ জলদুৰ্গৰ দ্বাৰা সুৰক্ষিত কৰিছিল। নগৰৰ দক্ষিণে অগ্নিগড় পৰ্ব্বত। তেজপুৰৰ জাহাজঘাটৰ পৰা কলিবাৰীলৈকে ব্ৰহ্মপুত্ৰৰ কানে কানে যি শাৰী পৰ্ব্বত আছে, সেয়ে আগৰ অগ্নিগড় আছিল। অগ্নিগড়ৰ যিটো পাহাড় এটাইতকৈ ওখ তাৰ ওপৰত এতিয়া পানী-কলৰ জলাধাৰ আছে আৰু তাতে "পদ্ম-পাৰ্ক" পতা হৈছে। সাধাৰণ মানুহে এতিয়াও সেই পাহাড়টোক "অগ্নি-পৰ্ব্বত" বুলি কয়। বোধ কৰোঁ আগৰ দিনত তাৰ পৰা জুই ওলাইছিল। শোণিতপুৰ নগৰৰ এমূৰে কন্যাশ্ৰমৰ "ৰুদ্ৰপদ" আৰু আন মূৰে ঔগুৰিৰ "ৰুদ্ৰপদ"। নগৰলৈ সোমোৱা বাটৰ মূৰে মূৰে শিলত কটা গণেশৰ মূৰ্ত্তি আছিল। তেজপুৰৰ গণেশ-ঘাটত তেনেকুৱা এজনা গণেশৰ মূৰ্ত্তি আছে। আকৌ ধেনু-খনা পৰ্ব্বতৰ পশ্চিমেও এজনা গণেশৰ মূৰ্ত্তি আছে। পৰ্ব্বতীয়া গাওঁখনত আগৰ দিনৰ কাৰুকাৰ্য্য থকা অনেক শিল আৰু অনেক পুখুৰী দেখিবলৈ পোৱা যায়। বামুণী পৰ্ব্বতৰ "উষা-মঠত" আৰু তেজপুৰ চহৰতো পুৰণি কীৰ্ত্তিৰ অনেক ভগ্নাৱশেষ আছে। কুমাৰগাৱঁত "থিয়-শিল" বুলি যিটো শিৱলিঙ্গ ৰখা হৈছে সেইটো হৰ্জ্জৰ বৰ্ম্মাৰ দিনৰ বুলি বোধ হয়। সেই শিৱলিঙ্গৰ বেদীখন এতিয়া এজন মানুহৰ বাৰীৰ ভিতৰত পৰিছে। তেজপুৰৰ ভৈৰবী দেৱালয় আৰু মহাভৈৰৱ দেৱালয় বাণৰজাৰ দিনৰ বুলি কিম্বদন্তিয়ে কয়। "হৰিবংশ" আৰু "কালিকাপুৰাণত" বাণাসুৰৰ বৃত্তান্ত পঢ়িবলৈ পোৱা যায়। তেওঁৰ উপৰি বংশৰ বিবৰণ তলত দেখুৱালোঁ :—

মৰীচি

(ব্ৰহ্মাৰ মানস পুত্ৰ)

কশ্যপ

(ভাৰ্য্যা—দিতি, দক্ষৰ দ্বিতীয় কন্যা)

হিৰণ্য-কশিপু · হিৰণ্যাক্ষ মৰুৎ

প্ৰহ্লাদ সহ্লাদ বাষ্কল শিবি দিব্যা (কন্যা—ভৃগু ঋষিয়ে বিয়া কৰিছিল)

বিৰোচন

বলি

বাণ বা মহাকাল

দ্বাপৰ যুগত বাণাসুৰৰ জন্ম হৈছিল। তেওঁৰ কন্যা উষা দেৱীকে শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ কোৱৰে বিয়া কৰিছিল। "কুমৰ-হৰণ" পুথি পঢ়িলে সবিশেষ জানিবলৈ পাব। "কুমৰ-হৰণ" পুথিৰ সমালোচনা কৰি "শোণিত-পুৰ" সম্বন্ধে অধ্যাপক শ্ৰীযুত বাণীকান্ত কাকতী, এম-এ ডাঙৰীয়াই প্ৰথম বছৰৰ "চেতনা" কাকতৰ ৩য় সংখ্যাত যি লিখিছিল, তাক তলত তুলি দিলো :—

"পুৰণি অসমত শোণিতপুৰ নামে এখন ৰাজ্য আছিল। কালক্ৰমত তাৰ নাম তেজপুৰ হৈছে। তাত বাণ নামে এজন প্ৰবল শিৱভক্ত ৰাজা আছিল। বাণ ৰাজা মহাভক্ত প্ৰহ্লাদৰ নাতি, মহাদানী আৰু বীৰ বলি ৰাজাৰ পুতেক আছিল। বিষ্ণুৱে বামন অৱতাৰত ছলনা কৰি বলিক পাতাললৈ পঠাই দিলত, শিৱক তপস্যা কৰি বাণৰাজাই শোণিতপুৰ ৰাজ্যখন পায়। এজন বঙ্গালী লেখকে প্ৰত্নতত্ত্বজ্ঞ বোলাবলৈ বলিনিৰ্ব্বাসনক লক্ষ্য কৰি কৈছে যে শোণিতপুৰ পাতালত আছিল; ই বৰ্ত্তমান তেজপুৰ হব নোৱাৰে। কিন্তু ই সাধাৰণ উপলুঙা স্বভাৱৰ কথা। "হৰিবংশত" কথাৰ ছলতে এইটো স্পষ্ট উল্লেখ আছে যে শোণিতপুৰ মনুষ্য-লোকত, আৰু তাক আহৱনীয় (যজ্ঞৰ) অগ্নিয়ে ৰক্ষা কৰি আছিল। "কূৰ্ম্মপুৰাণ"মতে এই আহৱনীয় অগ্নিৰ ঠাই তেজোৱতী নামে নগৰ এখনত আছিল। "কূৰ্ম্মপুৰাণে" তেজোৱতীৰ যি ভৌগোলিক স্থিতি নিৰ্দ্দেশ কৰিছে, তাৰ পৰা সহজে অনুমান হয়, ই শোণিতপুৰত আছিল; আৰু কালক্ৰমত দুয়োটা নাম লগ লাগি তেজপুৰ হল।"

অসম পৰ্ব্বতমালাৰ (Assam Range) দক্ষিণে থকা সুৰমা উপত্যকা আৰু চট্টগ্ৰাম বিভাগ বোধ কৰো পাতালৰ ভিতৰত পৰিছিল। বদৰপুৰৰ ওচৰত বৰাক বা সুৰমা নৈক মানুহে "বোগলিয়া" বোলে। এই "বোগলিয়া" শব্দটো "ভোগৱতী" শব্দৰ অপভ্ৰংশ। যেনে, মাঘৰ ভোগৱতী বিহুক আমি ভোগালি বিহু কওঁ। বোগলিয়া নৈত মানুহে ভোগৱতী-গঙ্গা-স্নান কৰে। পাতালৰ গঙ্গাৰ নাম ভোগৱতী। আকৌ, "পাতাল-শঙ্কৰ" নামে শিৱৰ দেৱালয় চট্টগ্ৰামত আছে।

মহাভৈৰৱ আৰু ভৈৰৱী দেৱালয়

তেজপুৰৰ মহাভৈৰৱ মন্দিৰত যিটো প্ৰকাণ্ড শিৱলিঙ্গ আছে তাৰ সমান ডাঙৰ শিৱলিঙ্গ এই ভূ-ভাৰতৰ কোনো ঠাইত নাই। এনে প্ৰবাদ আছে যে এই দেৱালয়ত বাণৰাজাৰ জীয়াৰী উষাই দিনৌ শিৱপূজা কৰিছিল। তেজপুৰ চহৰৰ এমূৰে ভৈৰবী দেৱালয় আৰু আন মূৰে মহাভৈৰৱ দেৱালয়। উভয় দেৱালয়ৰে অতীজৰ শিলৰ মন্দিৰ ভাগি কটা শিলবিলাক চাৰিওফালে সিঁচৰতি হৈ পৰি আছে। "হলেশ্বৰ" আৰু "শুক্লেশ্বৰ" নামে আৰু দুখন দেৱালয় আছে। 'হৰৰূপেশ্বৰ" শব্দটো হৰূপেশ্বৰ হৈ শেষত হলেশ্বৰ শব্দত পৰিণত হৈছে। হলেশ্বৰ দেৱালয় হৰ্জ্জৰ বৰ্ম্মা ৰাজাৰ দিনত স্থাপিত বুলি বোধ হয়। কিয়নো তেওঁৰ ৰাজধানীৰ নাম হৰৰূপেশ্বৰ আছিল। ভৈৰবী, হলেশ্বৰ আৰু শুক্লেশ্বৰ দেৱালয়ৰ নামে নিষ্পিখেৰাজ মাটি আছে।

সামৰণিত কবিবৰ শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য ডাঙৰীয়াৰ সুৰত সুৰ মিলাই গাবৰ মন যায়—

"কোৱা পাহৰণি, তোমাৰ পেটত,
কত নো ৰাখিছা বুৰঞ্জী সুমাই,
চিন্তিলে এবাৰ মাৰো পুড়ি দেই,
কত জাতি-কীৰ্ত্তি খালা গিলি হাঁয়!

* * * *

ই শোণিতপুৰ দেখো চাৰি পিনে,
পুৰণি হাতৰ চিনেৰে ভৰা,

নাপাওঁ বিচাৰি পুৰণি বুৰঞ্জী
কৰ কোনে কাক শোধোহোঁ বতৰা ?

* * * *

ইয়াৰ উত্তৰ কাক সুধি পাওঁ,
কবা নে হে তুমি হে ভৈৰৱী আই ?
ই হেন মন্দিৰ কোনে বিনাশিলে,
এই পৰ্ব্বতৰ গৌৰৱকো হাঁয় !

* * * *

হে মহাভৈৰৱ, বিষাদে মলিন,
এই দেৱালয় ভগন কিয় ?
উষাৰ পূজিত তুমি ইষ্টদেৱ,
আছিলা এদিন কুৱঁৰী-প্ৰিয়।
কোৱাঁ, দেৱ কোৱাঁ সোধোহোঁ এবাৰ,
সুন্দৰী উষাৰ নগৰ নে ই ?

শ্ৰদ্ধা-ভকতিৰে তোমাক পূজিছিলে
সদায় যতনে বাণৰ জীয়াৰী।

* * *

শত কাঁহ ঘণ্টা বাদ্য বাজিছিল
আইটী উষাৰ পূজাৰ বেলি,
শত ঢাক ঢোল শঙ্খ পাঞ্চজন্য
বাজিছিলে আৰু মহৰি কালি।
সোণালী পাটীত বহি সেই দিনা
পূজিছিলে তযু চৰণ-তল।
বেষ্টিত চৌপাশে ৰূপৱতী সখী
পদ্মিনীক যেনে হংসিনীমণ্ডল।
কিন্তু আজি দেৱ, তোমাৰ দুৰ্গতি
দেখিলে বিদৰে বিষাদে হিয়া,
ক'ত আজি উষা, ক'ত বাণ ৰজা,
ক'ত উষা-মঠ, চিনো নাইকিয়া।"

মানসী

—শ্ৰীযুত দেৱকান্ত বৰুৱা

কবিতা—

সৰ্গৰ সপোন মোৰ মাটিৰ মহিমা সতে
মিলি যত ৰচিছে উৰ্ব্বশী ;
গানৰ চুমাই মোৰ তোমাৰ দুখনি ওঁঠ
আহে তাতে নীৰৱে পৰশি।

বসন্তৰ উৎসৱত সেউজীয়া পৰাণত
কামনাৰ যি স্পন্দন জাগে ;
শুভ্ৰ শেৱালিৰ মোৰ প্ৰতি বৃন্ত হ'ল ৰঙা
তাৰে প্ৰিয়া ! নৱ অনুৰাগে।

পখীৰ মাতত প্ৰিয়া ! পখিলাৰ উৰণত
কৰিছোঁ যি সুৰৰ সন্ধান ;

কলিৰ-টোপনি-ভাঙ্গি-বতাহ-বলিয়া-কৰা
তুমি মোৰ সেই গন্ধ-গান !

যি ছাটি জোনাক দেহি আজিও পোৱাহি নাই
ধৰণীৰ ধূলিৰ পৰশ,
তুমি সেই আনন্দৰ আগমনী-অনুভূতি,
যৌৱনৰ প্ৰকাশ-হৰষ।

পঙ্কৰ কলঙ্ক ঢাকি পঙ্ক-বেদনাৰ তুমি
নিষ্কলঙ্ক ছন্দ-শতদল !
তোমাৰ পাহিয়ে প্ৰতি বিশ্বৰ মাধুৰী শেষ
শেষ তাতে অমৃত-গৰল !

খাম্বা-থোইবীৰ সাধুকথা

(আগৰ সংখ্যাৰ পিছৰপৰা)

—শ্ৰীযুত ৰজনীকান্ত বৰদলৈ, বি-এ

উপন্যাস—

পুতেকলৈ খুম্নুক খোজাৰ পাছত এদিন মন্ত্ৰীয়ে খাম্বাক উপকাৰ কৰিবৰ মনেৰে খাম্বাৰ ঘৰলৈ আহি তাক লগত লই বজাৰৰ ফালে গল। সেই বজাৰত ৰজাৰ ভায়েক থোইবী আইদেৱৰ বাপেক এঠাইত বহি আছিল। মন্ত্ৰীয়ে যুৱৰাজক দণ্ডৱতে প্ৰণিপাত কৰি খাম্বাক আগবঢ়াই দি তেওঁৰ সকলো পূৰ্ব্বাপৰ বিবৰণবিলাক কই, পৰিচয় কৰাই দিলে আৰু খাম্বাৰ শাৰীৰিক বল-বিক্ৰমৰ কথাও কোৱাত যুৱৰাজ আৰু মন্ত্ৰী উভয়ে খাম্বাক লগত লৈ গই ৰজাক ভেটালে। মৈৰাঙৰ ৰজাই খাম্বাৰ সকলো বিবৰণ শুনি আৰু আগৰ পৰা গুৰিলৈকে খাম্বাৰ শৰীৰটো চাই খাম্বাক তেওঁৰ ৰাজপৰিয়ালৰ এজন মাল কৰি ললে আৰু মাটিবৃত্তি দি খাম্বাক থাপিলে।

ৰজাৰ মালসকলৰ ভিতৰত কোংয়েম্বা নামৰ এজন প্ৰধান মাল আছিল। ৰজাই খাম্বাক এইদৰে মৰম কৰা দেখি কোংয়েম্বাৰ খাম্বালৈ পেটে পেটে বৰ হিংসা হল। কিন্তু তেতিয়া সেই হিংসা প্ৰকাশ নকৰি কোংয়েম্বা মনে মনে ৰল ; কিন্তু অন্তৰত আলচি থলে যে সুবিধা পালে সি খাম্বাক শুদায় নেৰিব।

ঘৰলৈ উলটি আহি খাম্বাই ভনীয়েক খুম্নুক সকলো কথা ভাঙি-পাতি কলে। খুম্নুৱে মনতে আনন্দ পালে। সিফালে যুৱৰাজেও খাম্বাক ৰজাই কেনেকৈ নিজৰ এজন পাৰ্ষদ কৰি ললে এই কথা কলে। লগতে ইয়াকো কলে যে খাম্বাৰ বাপেক এজন সাহিয়াল, ৰাজনীতিক, বীৰ, বাহুবলী আৰু সদ্বংশজাত মানুহ আছিল। বাপেকৰ মুখৰ পৰা খাম্বাৰ আৰু তেওঁৰ বাপেকৰ গুণ শুনি থোইবী আইদেৱে উৎসাহিত হৈ কলে যে তেনেহলে খাম্বাক তেওঁ-লোকৰ অট্টালিকাৰ উত্তৰৰ ফালে এটা ভালকৈ ঘৰ সজাই দি পোহপাল দি ৰখা উচিত। এই কথা কৈ মাকক কলেগৈ, "আই ! ৰজাঘৰৰ থাংজিং দেৱতাৰ বছৰেকীয়া পূজা আহি পালে। আৰু ৰজাই খাম্বা প্ৰভৃতি সকলোকে ফুল তুলিবলৈ আদেশ কৰিছে। মই এবেলি খুম্নু সখীৰ ঘৰৰ পৰা আহোঁগৈ"। এই বুলি কই মাকৰ অনুমতি লই থোইবী আইদেৱ খুম্নুহঁতৰ ঘৰলৈ গল আৰু খাম্বাৰ মুখৰ পৰা ৰজাই যে তেওঁক মৰম কৰি নিজৰ এজন পাৰ্ষদ কৰি লইছে এই কথা শুনি আনন্দ প্ৰকাশ কৰিলে। খাম্বাই ইয়াৰ পিছত কলে যে ৰজাই তেওঁক আদেশ কৰা মতে তেওঁ থাংজিং দেৱতাৰ পূজাৰ নিমিত্তে পাহাড়লৈ ফুল তুলিবলৈ যাব। থোইবীয়ে এই কথা শুনি কলে—"পাহাড়লৈ নগই দেখোন নগৰৰ ভিতৰতে, হাটে-বজাৰেও ঢেৰ ফুল গোটাব পাৰি।" খাম্বাই কলে যে সেইটো পৰা যায় হয় কিন্তু কোংয়েম্বাই ৰজাক বুজাইছে যে পাহাড়তহে ভাল ভাল ফুল পোৱা যায়। কোংয়েম্বাৰ বুজনি মতে ৰজাই সকলোকে পাহাড়ৰ পৰাহে ফুল আনিব দিছে। সেই দেখি তেওঁ পাহাড়লৈ যাবই লাগিব পিছদিনাই ফুল তুলিবলৈ। খাম্বাৰ এই কথাত থোইবীয়ে কলে :— "পাহাড়লৈ গলে আপুনি বৰ দুখ পাব। কিন্তু যেতিয়াই আন উপায় নাই তেতিয়াই থাংজিং দেৱতাক তুতি কৰি তেওঁৰ অৰ্থে ফুল গোটাবলৈ বাৰু পাহাড়লৈকে যাব। কিন্তু মই কিছুমান খোৱা বস্তু দি পঠাম, আপুনি অনুগ্ৰহ কৰি ঘৃণা নকৰি লগতে লই যাব। কিয়নো ফুৰোঁতে ফুৰোঁতে ভাগৰ লাগিব, ভোকে পীড়া কৰিব। অৱশ্যে পাহাড়ৰ য'তে-ত'তে পানী পাব।" এই কথা আৰু তাৰ পিছত খুম্নুৱে সৈতেও আন আন কথা-বতৰা পাতি ঘৰলৈ উলটি গই পিছদিনা ৰাতিপুৱাই থোইবী আইদেৱে খাম্বালৈ খোৱা বস্তুবিলাক বেলেগ বেলেগ পাতত টোপোলা কৰি কৰি বান্ধি সেই টোপোলাবিলাক পাতৰ ৰুমাল এখানত বান্ধি এজনী লিগিৰীৰ হাতত পঠিয়াই দিলে।

খোৱা বস্তুৰ টোপোলাটো পোৱাৰ অলপ পিছতে খাম্বা ভাত খাবলৈ বহিছিল ; এনেতে কোংয়েম্বা তেওঁৰ ঘৰৰ দুৱাৰমুখত আহি থিয় হৈ মাত লগালে "খাম্বা ! খাম্বা ! তই নাযাৱনে ? ইমান পলম কেলেই কৰিছ ?" খাম্বাই

কলে—"ভাই তই অলপ বহ। মই এই ভাত চাৰিটা খাই ওলাওঁ।" কোংয়েষাই কলে—"বাক মই বহিলোঁ। পিছত তই এনেকুৱাকৈ বজাৰ কাম ওলাবলৈ সুস্থি কৰিলে আগলৈ ভাল নহব। মই দেখিছোঁ তই বৰ সুস্থি এলেহুৱা মানুহ।" কোংয়েষাৰ এই কথাত খাম্বাৰ খং উঠিল, কিন্তু খং সামৰি লৰাজৰিকৈ ভাত কেইটা খাই হাতত পাচি এটা আৰু জলপানৰ টোপোলাটো লই ওলাই আহিল কোংয়েষাই কলে—"বল যাওঁ ফুল তুলিবলৈ। কিন্তু তই মোৰো এই টোপোলাটো লচোন।" ভাত খাই থাকোঁতে তেওঁক এলেহুৱা আৰু সুস্থি বোলা খং খাম্বাৰ মনত আছিলেই এনেতে যেতিয়াই তেওঁক তাৰো টোপোলাটো লবলৈ কলে, সেই মুহূৰ্তেই খাম্বা খঙত অগি-পকি কোংয়েষাক কলে, "নই তোৰ চাকৰ নে কি?" এই বুলি কই কোংয়েষাৰ হাতৰ পৰা টোপোলাটো কাঢ়ি লই দলি মাৰি পেলালে। কোংয়েষাৰ বৰ খং উঠিছিল কিন্তু খং উঠিলেও সি টাবিটুবি চাই দেখিলে যে যুঁজ লাগিলে সি কেতিয়াও খাম্বাক বলে নোৱাৰিব। এই কাৰণে মনৰ খং মনতে সামৰি "বাক খাম্বা বল, ফুল তুলিবলৈ বল" এই বুলি কই টোপোলাটো বুটলি লই আগবাঢ়ি যাব ধৰিলে।

কিছু বেলি গই উভয়ে পাহাৰৰ ওচৰ পালে। পাহাৰৰ নামনিত চেৰ ফুলৰ গছ আছিল; কিন্তু খাম্বাই ফুল ছিঙিবলৈ নৌ পাওঁতেই কোংয়েষাই সেই ঠাইৰ ফুলগছ বিণাকত একোটা একোটা বান্ধ দি খাম্বাক কবলৈ ধৰিলে—"এইবিণাক ফুলগছ মোৰ পিতৃপুৰুষৰ দিনৰে পৰা। তই ইয়াৰ এটা ফুলো নিছিঙিবি। যদি মোৰ ফুলগছৰ ফুল তই ছিঙ তেন্তে মই বজাত গই গোচৰ দিম যে তই অনধিকাৰ কৰি বলেৰে মোৰ ফুল ছিঙিছ তেতিয়া বজাই তোক দণ্ড কৰিব।" কোংয়েষাৰ এই কথা শুনি খাম্বাই কলে—"তেনেহলে তয়ে কই দেচোন মোৰ পিতৃপুৰুষৰ দিনৰ ফুলগছ ক'ত?" কোংয়েষাই কলে, "সেইটো কি জানো? মই জানো তোৰ বাপেৰৰ ফুলনি-ৰৰীয়া? যা সৌ পাহাৰৰ ওপৰত বিচাৰি উলিয়াগৈ।" কোংয়েষাৰ এই কথাত খাম্বাৰ যদিও বৰ খং উঠিছিল তথাপি তেওঁ মনে মনে থাকি পাহাৰৰ ওপৰলৈ উঠি গল আৰু তাত ফুলৰ গছ বিচাৰি বিচাৰি হাবথাং হই দুখে-ভাগৰে এঠাইত বহি ওপৰলৈ দুয়ো হাত যুৰি থাংজিং দেৱতাক তুতি কৰিলে—"হে প্ৰভো! দয়াময়, দীনবন্ধু, থাংজিং দেৱতা! তোমাৰ দাস বিপদত পৰিছোঁ। কৃপা কৰি বিপদৰ পৰা ৰক্ষা কৰা উদ্ধাৰ কৰা।" খাম্বাৰ এই তুতিত থাংজিং দেৱতা তুষ্ট হৈয়ে যেন এছাটি বতাহ খাম্বাৰ গাৰ ফাললৈ বোৱাই দিলে। সেই বতাহ ছাটিতে খাম্বাই বৰ বৰ ভাল ভাল ফুলৰ গোন্ধ পাই বিফালৰ পৰা বতাহ ছাটি মাৰিছিল সেই ফাললৈকে কিছুদূৰ গই এখান অতি সুন্দৰ ফুলনি পালে। তাত গোলাপ, তগৰ, যুতি, মালতী, চম্পা, কেতেকী ইত্যাদি নানা তৰহৰ জক্‌মক্‌কৈ ফুলি থকা ফুল পাই মনৰ হেপাহেৰে পাচিত ধৰে মানে ফুল ছিঙি ছিঙি ভৰাই ললে। তাৰ পিছত ভৈয়ামলৈ নামি আহি এটা নিজৰাৰ পাৰত বহি থোইবী আইদেৱে দিয়া জা-জলপান পেট ভৰাই খাই নিজৰাৰ পানী পি আকৌ উভতিবলৈ সাঁহ হল। খাম্বাই খাওঁতে-পিওঁতেও কোংয়েষাই ফুলকে ছিঙি আছিল আৰু খাম্বাই কি কি জলপাননো খাইছিল তাকৈকো লক্ষ্য কৰিছিল। খাম্বাই খাই থাকোঁতেই কোংয়েষাই কলে—"খাম্বা! মোলৈ বাট চা। দুয়ো একেলগে উলটি যাম।" এই বুলি কই কোংয়েষাই ফুল তুলিব এৰি তাৰো লগত নিয়া জা-জলপান খাই নিজৰাৰ পানী পি দুয়ো একেলগে ৰাজধানীলৈ খোজ ললে।

বাটত আহি থাকোঁতে খাম্বাই মনৰ উলাহতে থোইবীৰ নাম লই তেওঁৰ গুণ বৰ্ণাই এটা গীত গোৱাত কোংয়েষাই ভাবি মাৰি কলে—"খৰদৰাৰ! তই মোলৈ দিব খোজা থোইবীৰ নাম লৈ গীত নাগাবি।" তাৰ এই কথাত খাম্বাই কলে—"তোৰ নিচিনা অণাযেক ছইবীৰীয়াৰে থোইবীক দিবই হয় আৰু থোইবীও আহিবই হয়। থোইবীয়ে তোৰ মুখতে মুতি দিব।" খাম্বাৰ এই কথাত কোংয়েষাই এইবাৰ ধৈৰ্য্য হেৰুৱাই ফুলৰ পাচিটো মাটিত থৈ খাম্বাক এটা মুকুটি মৰাত খাম্বায়ো নিজৰ ফুলৰ পাচিটো মাটিত থই কোংয়েষাক হেঁপাহ পলুৱাই ভালকৈ এক পিটন দিলে। কোংয়েষাই খাম্বাক বলে নোৱাবি সেও হল। কিন্তু তাৰ মনত খাম্বাটৈ প্ৰতিহিংসাৰ জুই চকুওঁগে বাঢ়িল।—ক্ৰমশঃ

মচোপটেমিয়াৰ সোৱঁৰণী

—ডাঃ শ্ৰীযুত শৰৎচন্দ্ৰ বকৰা

মোৰো মহাযুদ্ধৰ কথা অনেকৰ সোৱঁৰণীৰ অতীত হৈ গৈছে, কিন্তু মোৰ হলে মোৰা নাই আৰু নাযাবও। সেই যুদ্ধৰ শেষ ভাগত এটি ক্ষুদ্ৰ ভাগ মোৰো ভাগাত পৰিছিল। সৈন্য হৈ নহয়, সেনাৰ চিকিৎসকৰূপে। ব্ৰিটিছশক্তিয়ে যুদ্ধত পৃথিবীৰ নানা ঠাইলৈ সেনা পঠিয়াব লগা হোৱাত অকল সেনাৰ সংখ্যাকে যে বঢ়াব লগাত পৰিছিল এনে নহয়,



পুৰণি বেবিলনৰ ধ্বংসাবশেষ (মাটিৰ তলৰ পৰা খনি উলিওৱাৰ পিছত)

অন্যান্য বিভাগৰ মানুহো বেছিকৈ নিব লগাত পৰিছিল। সেই যুদ্ধত লিপ্ত হোৱা সকলো শক্তি আৰু সেই শক্তিৰ পৰাধীন প্ৰজাসকলে আৰ্থিক যি হেঁচা পাইছিল তাৰ পৰা অনেকে এতিয়াও উঠিব পৰা নাই যেন লাগে। বৰ্ত্তমান সমস্যাৰ কথা আমি এই প্ৰবন্ধত ধৰা নাই। সেই সময়ত অনেক মানুহক 'চিভিল' বিভাগৰ পৰা 'মিলিটেৰী' বিভাগলৈ ধাৰে নিছিল। অনেক অৱস্থাত জোৰজুলুমো চলিছিল। আমাৰ দেশৰ কেবাজনো ডাক্তৰে যাবলৈ অনিচ্ছা কৰাত কাম ইস্তফা দিবলৈ বাধ্য হৈছিল। সেই সময়ত যুদ্ধলৈ যোৱাত দুটা বিভাগ আছিল। এটা (ক) ভাৰতবৰ্ষৰ ভিতৰত সৈন্য বিভাগত কাম কৰা, আনটো (খ) ভাৰতৰ বাহিৰে সৈন্য বিভাগত কাম কৰা (Over-sea and active Service). যুদ্ধক্ষেত্ৰত (Active Service) কাম কৰিবলৈ যাবলৈ হলে এখন কাগজত চৰী কৰিব লাগে। এই 'একটিভ্‌ চাৰ্ভিচত' দৰমহা আদি আৰু ভবিষ্যতত চাকৰিৰ উন্নতি পথত উঠাৰ অনেক সুবিধা আছিল। মই নিজে একটিভ্‌ চাৰ্ভিচত কাম কৰিম বুলি স্ব-ইচ্ছাই ওলাই ১৯১৯ চনৰ জুলাই মাহত চৰী কৰি দিলো। তেতিয়া মই ডিব্ৰুগড়ৰ আস্পতালত অস্থায়ীভাৱে আছিলো। মই যাব লাগিব বুলিয়েই মোৰ ওপৰৱালা সকলে মোক প্ৰায় পেন্‌চন্‌ দিয়াৰ নিচিনাই কৰিলে, কাৰণ মোৰ কৰিবলৈ কাম একো নাছিল। এনেকুৱা দিনো পাইছিলো যে নিৰ্ম্মা হৈ বহি থাকি আমনি লাগি সদিয়া পৰ্য্যন্ত এনেয়েই ঘুৰি ফুৰিছিলো। জুলাই, আগষ্ট এইদৰেই গ'ল। ছেপ্তেম্বৰত খবৰ আহিল যে মই 'মচোপটেমিয়ালৈ' যাব লাগিব, আৰু কলিকতাৰ ইণ্ডিয়ান ষ্টেচন হস্পিটাল আলিপুৰলৈ বওনা হবলৈ হুকুম দিলে। হুকুমৰ লগে লগে কলিকতালৈকে এখন 'ৰেইলৱে ৰাবেণ্ট' (Railway warrant) আৰু এখন মিলিটেৰী আইন মানি চলিম বুলি লেখা কাগজ আছিল। কাগজ-পত্ৰ সকলো চৰী কৰি দিলো। মোৰ 'চিভিল চার্জ্জনে' মোক মিলিটেৰি আইনৰ বিষয়ে কিছু উপদেশ দিলে। মই অক্টোবৰত কলিকতালৈ বওনা হলো।

তিনিচুকীয়াৰ পৰা কলিকতালৈকে এটা চেকেণ্ড ক্লাচ 'বাৰ্থ' বিজাৰ্ভ কৰি লৈছিলো। মোৰ সহযাত্ৰী এজন

ফিরিঙ্গী ধরণর ভদ্রলোক পালো। সম্ভর তেওঁ ফিরিঙ্গী নহয়—বঙ্গেরালাহে। তেওঁর বোলে সদিয়াত কিবা কাৰবাৰো আছিল। মই সেই সময়ত সদিয়াটৈ যাওঁতে সেই মানুহজনৰ নাম শুনিছিলো আৰু তেওঁ সভা এটা চাংঘৰ দেখিছিলো যেন মনত পৰে, কিন্তু মানুহজনৰ নাম বৰ্ত্তমান মোৰ মনত নপৰে। তেওঁ ৺ডাঃ চলিহাক চিনি পায় আৰু 'বাৰ্থ' বিজাৰ্ভ কৰা কার্ডটোত মোৰ নামৰ আগত ডাঃ লেখা দেখি আৰু অলপ কথা বতৰাৰ পাছত মোকো অসমীয়া বুলি জানিব পাৰি তেওঁ মোক সুধিছিল যে মোৰ কেইখন ৰাগিচাৰ 'খেয়াস' আছে। সম্ভর তেওঁ ভাবিছিল যে সকলো অসমীয়া মানুহেই ডাঃ চলিহাৰ দৰে। ময়ো কিন্তু "গুমৰ ফাক্" নকৰি হা আৰু নাৰ মাজতে থাকিলো; এইদৰে আমি পাণ্ডুলৈকে একেলগে গ'লো। কিন্তু আমিনগাৱঁত তেওঁ "চপ্পট" দি মধ্যম শ্রেণীত সোমালগৈ। আৰু তাৰ পৰা তেওঁ বাকী বাটদোখনত মোক দেখিলেই মুখ লুকুৱা হ'ল। আমিনগাৱঁত দেখাই তেওঁৰ সৈতে মোৰ শেষ দেখা।

কলিকতা পাই হেবিচন ৱোডত থাকিবলৈ দিহা কৰিলো। মোৰ লগত 'কণ' নামেৰে এটা চাকৰ-লৰা



মেচোপটমিয়াৰ খেজুৰৰ খেতি-বপ্তানিৰ বাবে সাজু কৰিব লাগিছে

আনিছিলো। ষ্টামেৰে অহাযোৱা কৰি মই আলিপুৰৰ আস্পতালত কাম কৰিবলৈ ধৰিলো। এইদৰে প্রায় এমাহ



মেচোপটমিয়াৰ কুমাৰ এজনে মাটিৰ সাজ গঢ়াইছে

যোৱাৰ পাছত মোক বম্বেলৈ যাবলৈ হুকুম দিলে। এই বাবো সেই আগৰ দৰেই 'ৰেইলৱে ৱাৰেণ্ট' (Railway warrant)। মোৰ লগত অহা চাকৰ লৰাটোকো মোৰ লগতে নিবৰ বৰ ইচ্ছা আছিল, কিন্তু মচোপটমিয়াৰৈ নিবলৈ নিদিয়া বোলাত তাক কলিকতাতে এৰি লগাত পৰিলো। কথৰ মটৰ ড্রাইভাৰি শিকিবৰ বৰ ইচ্ছা আছিল। তাত তেনে শিক্ষাৰ সুবিধা কৰিব নোৱাৰিলো আৰু সিও ডিব্রুলৈ ঘুৰি যাবৰ ইচ্ছা নকৰাত পূৰ্ব্বপৰিচিত কলিকতাবাসী শ্রীযুত চিত্রসেন কাকতীক অনুৰোধ কৰি তাক এটা 'ডিষ্টিলেৰি' কামত সুমুৱাই দি বম্বেলৈ ৱওনা হলো।

বম্বেলৈ যাওঁতে এটা হাঁহি উঠা কথা হৈছিল। আগৰপৰা মোৰ ধাৰণা আছিল আৰু শুনিছিলো যে বম্বে মেইল ঘণ্টাত ৬০ মাইল বেগেৰে যায়। সেই ধাৰণা লৈয়েই মোৰ 'টাইমটেবুল' চাই ধৰি ললো যে মই হাওৱা ষ্টেচন এবাৰ পাঙদিনাই বম্বে পামগৈ। আৰু সেই অনুসৰি এজন চিনাকী ডাক্তৰলৈ টেলিগ্রাম কৰি দিলো। এতিয়া নকলেও হব যে মই 'টাইমটেবুল'ৰ মাজৰ এটা দিন

জাঁপ মাৰি গৈছিলো। মোক নিবলৈ অহা ডাক্তৰজনে 'ডিষ্টোবিয়া-টাৰমিনাচ' ষ্টেচনৰপৰা মোক নিবলৈ আহি নেপাই উভতি গ'ল আৰু পাছদিনা একো খবৰ নকৰিলে। মই ষ্টেচনত তেওঁক নেপোলো—পালো এক হোটেলৱালাক



মুছলমানবিলাকৰ পবিত্র স্থান কাৰবেলাৰ সবাইখানা

আৰু সেই হোটেলৱালাৰ চতুৱালিত পৰি এটা ৰৱ ওখ খাপৰ হোটেলত উঠিলোগৈ। অলপ পৰ থাকি মই আহি পোৱা 'বিপোৰ্ট' দিবলৈ 'মেৰাইন লাইন কেম্পলৈ' (Marine Line Camp) গ'লো। তাত জানিব পাৰিলো যে মোৰ পোৱা কোনদিনা হব তাৰ একো ঠিক নাই। জাহাজ পোৱা ঠিক হলেই মুহূর্ত্তেই যাব লাগিব, আৰু সেই হেতু মই সেই 'কেম্প'তেই বাসস্থান লোৱা আইনসঙ্গত। মই তাৰপৰা এজন বন্ধুৰ সৈতে গৈ মোৰ মালপত্র হোটেলৰপৰা আনি 'কেম্প'বাসী হলোহি। হোটেলৱালাই ঠিকাৰ হেকৰাই নিতান্ত দুখিত হ'ল যেন লাগিল, কিন্তু মই হলে ৰৱ ৰক্ষা পালো। কাৰণ সেই হোটেল বঙ্গ-সহাৰজাৰ। বম্বেত এদিন দুদিনকৈ ১৪ দিন থাকিব লগা হ'ল। এইখিনিতে এটা আপোন-পৰ, দেশী-বিদেশী কথা কব লগা হ'ল। কলিকতালৈকে অসমীয়া মানুহ লগ পাই আন মানুহৰ সঙ্গৰ পৰা আঁতৰিবলৈ বিচাৰিছিলো। কিন্তু বম্বেত বঙ্গালী কথা কব জনা এজন মানুহ পালেই আপোন যেন লাগিছিল। ইয়াৰ পাছত 'মচোপটেমিয়া'ত থকা কেবছৰ ভাৰতীয় মানুহ লগ পালেই আপোন যেন লাগিছিল। 'মেৰাইন লাইন কেম্পত' (Marine Line Camp) এজন আফ্রিকালৈ যাব লগা ত্রিপুৰাৰ বঙ্গালী ডাক্তৰ পালো। তেওঁক যদিও চিনি নেপাওঁ তথাপি তেওঁৰ আত্মীয় এজনক বৰ ভালকৈয়ে চিনি পাওঁ। তেওঁৰ লগত মোৰ পাচত এনে বন্ধুত্ব হৈছিল যে বহুত দিনলৈকে তেওঁৰ লগত মোৰ চিঠিপত্র চলিছিল। তেওঁ ডালেদিন 'চি-চার্ভিচত' (Sea- Service) আছিল। আৰু বৰ দুখৰ বিষয় যে তেওঁ তাতেই কিবা ৰোগত ধুকাল। এই বঙ্গালী ডাক্তৰজনকে লগত লৈ বম্বে চহৰ টহলিবলৈ ধৰিলো। কামৰ চিন্তত বাতিপুৱা ৯ বজাৰ পৰা ১০ বজালৈকে অফিচত খবৰ কৰিব লাগে কিবা হুকুম আছেনে নাই। তাৰ পাচত আৰু তাত থকাৰ কোনো আৱশ্যক নকৰে। 'একটিভ্ চার্ভিচৰ' (Active Service) সকলোৰে পোৱা চৰকাৰী, সেই কাৰণে এই কেম্পৰ পৰা মই ঘুৰি নহালৈকে এই সৈনিক বিভাগৰ খৰচ-বহোঁতা



বছৰা নগৰৰ নদীৰ পাৰৰ দৃশ্য

'ইম্পিৰিয়েল গৱর্ণমেণ্ট'ৰ (Imperial Government) অতিথি আছিলো; কাৰণ এই সময়ৰপৰা ঘুৰি আহি:

ভাৰতবৰ্ষত ভৰি নিদিয়ালৈকে তেওঁলোকৰে থাইছিলো। এই কেম্পৰ খোৱা বৰ সুবিধাজনক নোহোৱাত মই প্ৰায়েই হোটেলত খাব লগাত পৰিছিলো। কলিকতা এবাৰ পবাই ভাল চাহ আৰু ভাত পাবলৈ বৰ কষ্টকৰ হৈছিল। বিলাতী 'বেষ্ট্ বেণ্ট'লৈ নগলে ভাল চাহ খাবলৈ নেপায়, আন দেশী 'বেষ্ট্ বেণ্ট' যিমানেই ভাল-মহুওক সকলোতে মচলা মিহলোৱা চাহহে পোৱা যায়; আৰু ভাত খাবলৈ অৰ্ডাৰ বিশেষভাৱে (Specially) দিব লাগে। আমি সদায় দুই মান বজাতেই কেম্প এৰি টলো-ঢলো কৰি ঘুৰি ফুৰো আৰু য'তে যি খেলা, বায়োস্কোপ, থিয়েটাৰৰ গোন্ধ পাওঁ তালৈকে চাপলি মাৰিছিলো।

কিন্তু সকলো ঠাইতে সদায় নিচেই তলশ্ৰেণীতহে বহিছিলো। এনেকুৱা দিনো আছিছিল যে এঘণ্টাৰ ভিতৰত থিয়েটাৰ বায়োস্কোপ দুয়োটাকে চাইছিলো, তাৰ মানে কোনোটোৱেই আমাৰ ভাল নেলাগে আৰু বিশেষকৈ থিয়েটাৰ একো বুজিব নোৱাৰো। এদিন বিজ্ঞাপনত দেখিলো 'কপালকুণ্ডলা' থিয়েটাৰ গুজৰাটী ভাষাত হব। বুজিব পাৰিম বুলি ওপৰ শ্ৰেণীৰ টিকট লৈ গলো কিন্তু তথৈবচ।



তুৰ্কীয়ে ধ্বংস কৰি পেলোৱা এখন পুৰণি সেতু—মচোপটেমিয়া

মোৰ হলে মাৰোৱাৰী থিয়েটাৰৰ দৰেহে লাগিছিল। কিন্তু সেই থিয়েটাৰ কোম্পানীটো হেনো বম্বেৰ ভিতৰত গুজৰাটী ভাষাৰ আটাইতকৈ ভাল থিয়েটাৰ। ইয়াৰ পৰা বুজা যায় যে আমাৰ থিয়েটাৰ আদি অতি ভাল হলেও আমাৰ ভাষা বুজা মানুহে চাই কেনে আমোদ পায়!!

এইদৰে বম্বেৰ দিনকেইটা কটাই এদিন পুৱা বচোৱাক্তি মুখী জাহাজত উঠিব লগা হ'ল। সেই জাহাজত প্ৰায় ১৭০০ মানুহ আছিল। গোৱা, ভাৰতীয় চিপাহী, মজুৱা (Labour force) আৰু অন্য সকলো বিভাগৰ মানুহ



কুকি মানুহ

আছিল। এই জাহাজত যাব লগা সকলো মানুহকেই বন্দৰত ডাক্তৰে পৰীক্ষা কৰিব লাগে আৰু কোনো ৰোগা বেমাৰ থাকিলে আনকি গছ আদি থাকিলেও যাবলৈ নিদিয়ে। মোক যদিও পৰীক্ষা কৰা নাছিল কিন্তু পৰীক্ষা কৰাবলৈ লগালে। পুৱা ৬ বজাৰ পৰা ১০ বজালৈকে প্ৰায় ১২জন ডাক্তৰে এই মানুহবোৰক চাই আঁতৰালে, আৰু জাহাজ ২টামান বজাত বম্বে বন্দৰ এৰিলে। জাহাজখনৰ নাম "S. S. Versava"। (S. S. মানে Steam Steamer)। এই জাহাজখন আগেয়ে 'কার্গোবোট' (Cargo Boat) অৰ্থাৎ মাল নিয়া জাহাজ আছিল। কিন্তু যুদ্ধৰ সময়ত এই জাহাজবোৰক মানুহ অনা নিয়া জাহাজ কৰিছিল। জাহাজখন কিছুদূৰ 'আৰকাটীৰে' (Pitot) লৈ গৈ সাগৰৰ মাজত এৰি ওচি আহিল। আমি দ্বিতীয় শ্ৰেণীৰ যাত্ৰী আছিলো। গমৰৰ বাহিৰে বিশেষ অসুবিধা পোৱা নাছিলো। মোৰ সহযাত্ৰী এজন আদহীয়া মাদ্ৰাজী ডাক্তৰ আছিল। তাৰ লাহে লাহে জাহাজ বম্বেৰ পৰা আতৰি আহিল আৰু বম্বেৰ দৃশ্য গধুলিৰ অস্পষ্ট অন্ধকাৰত বিলীন হৈ গল। মই কব নোৱাৰো কিয় অসম এৰি বঙ্গলা দেশ সোমাওঁতে আৰু বঙ্গলাদেশ এৰি বম্বে সোমাওঁতে একো অনুভৱ কৰা নাছিলো। কিন্তু বম্বেৰ দৃশ্য আতৰ হোৱাৰ লগে লগে

মনত এনে এটা ভাৰৰ উদয় হৈছিল যে মই তাক ব্যক্ত কৰিব নোৱাৰো। জাহাজ ৰাতিদিন অহৰহ চলিবলৈ ধৰিলে। পাছদিনা পুৱা খোৱাবোৱাৰ পাছত 'ডেকত' কিছুপৰ বহি আছিলো। যেনিয়েই চকু দিওঁ



সোণৰ মছজিদ—কজিমেন

কেৱল পানী—পানী! ওপৰত নীলাকাশ—তলত সীমাহীন অতল পানী—তাৰ মাজত আমাৰ জাহাজখন চোৰ তালে তালে নাচি নাচি চলিবলৈ ধৰিলে। আমি তেতিয়া আৰব্য সাগৰত। আৰব্যসাগৰ স্বভাৱতেই অলপ অশান্ত। বাৰিষাৰ কথাই নাই এই অক্টোবৰ মাহতো বাকৰিয়ে টলংভটং কৰাইছিল। বেছি সময় বহিব নোৱাৰিলো, মূৰ ঘুৰাই ওকালি আহিবলৈ ধৰিলে আৰু মই তেতিয়াই বুজিব পাৰিলো যে মোক "সাগৰৰ বেমাৰে" (Sea sickness) পালে। এই বেমাৰ হলে কি কৰিব লাগে মোৰ আগেয়ে চাই থোৱা আছিল। কিন্তু তাৰ পৰা মোৰ উপকাৰ নহল অপকাৰহে হৈছিল। ইয়াৰ দুৱাৰমুখতে দুটা লৰাই অসমীয়া কথা পতা শুনি বৰ আগদিনাও কিছুমানৰ এই বেমাৰ হোৱা দেখিছিলো। মোৰ সহযাত্ৰীজন যদিও আৰু এবাৰ সাগৰত ফুৰিছিল তথাপি ইয়াৰ পৰা হাত সাৰিব নোৱাৰি, যি কথা শুনন দিলে ছদিন অনাহাৰে তাৰ পৰা লৰচৰ নকৰিলে। মই আস্পতালত অলপ আৰাম পাম বুলি তালৈ গলো কিন্তু তাৰ বিছনাখোৰ ওলমোৱা বিছনা আৰু তাত বেছিকৈহে দোল খাবলৈ ধৰিলো। নিজৰ কেবিনতেই পৰি থাকি ২৪ ঘণ্টামানৰ পাচত চাই দেখো যে আমাৰ জাহাজ পাৰস্ত উপসাগৰৰ মাজত সোমালহি আৰু জাহাজৰ টলংভটং কমি আহিবলৈ ধৰিলে। চতুৰ্থ দিনৰ পুৱাৰ পৰা পুৰ ফালে এটা পাহাড়ৰ দৃশ্য দেখিছিলো আৰু বহুত দূৰৈত চুগন এখন পাল তৰা নাৱো দেখিছিলো। আমাৰ জাহাজৰ খোৱা চাহাবী দৰণৰ আছিল। সেই খাদ্যৰ সংখ্যা যদিও বেছি—সাগৰৰ বায়ুৰে হজম শক্তি বৃদ্ধি কৰাৰ কাৰণেই নে সেই খাদ্য বৰ তৃপ্তিকৰ নোহোৱাৰ কাৰণেই আমাৰ বৰ সোনকালে সোনকালে ভোক লাগিছিল। আমি ডাঙৰ পেটত এবেলা ভাত সুমুৱা মানুহ, "লাঞ্চ" "ব্ৰেকফাষ্টে" (Lunch, Breakfast) আমাৰ হেঁপাহ নপলায়। সেই দেখি "খানা খোৱা ঘৰত" (Dining Cabin) খাবলৈ এৰি দি নিজৰ কেবিনতেই হেঁপাহ পলুৱাই ভাত খোৱাৰ বন্দবস্ত কৰি ললো। অৱশ্যে এই ভাতৰ বন্দবস্ত কৰোতে চাকৰক অলপ বকচিচ দিব লগা হৈছিল।



শত্ৰুৱে ধ্বংস কৰা উৰা জাহাজ

তিনি কি চাৰি দিনৰ মুৰত এদিন পুৱা মোৰ কেবিনৰ

আচবিত হলো। কিন্তু অতি আচবিত যে সিইতক মই অসমীয়া কথা কোৱা মাত্রকেই সিইত নিস্তব্ধ আৰু অবাক হৈ বল । ভালে মান সময়ৰ পাছত হে সিইতে মোক উত্তৰ দিছিল যে সিইত যোৱহাটৰ কাটনিগাৰঁৰ মানুহ, বহুৱা (Labour force) দলত ভৰ্ত্তি হৈ আছিছে। মই সিইতক কিবা আৱশ্যক হলে মোক পুনঃ লগ পাবলৈ কৈছিলো কিন্তু সিইতৰ লগত আৰু মোৰ দেখা নহল। ময়ো কেবাদিনো সিইতক জাহাজৰ কেবা খলপতো বিচাৰি নেপালো। মই অনুমান কৰিলো যে সিইত সম্ভৱ ঘৰৰ পৰা পলাই আছিছে আৰু মোক দেখি ভয় হে খালে। সেই কাৰণেই বোধকৰো মোৰ পৰা ইচ্ছাপূৰ্ব্বক আতৰি থাকিল।

এইদৰে জাহাজ দিনে-ৰাতিয়ে গৈ সপ্তদিনৰ শেষ ৰাতি "বচোৱা" বন্দৰৰ ওচৰ পালেগৈ। পুৱা পোহৰ হোৱাৰ লগে লগে যাত্রীসকলৰ মাজত খনমু-দনমু লাগিল। মই উঠি দেখো যে এখন নৈত আমাৰ জাহাজ চলিছে আৰু নৈৰ দুই পাৰত অসংখ্য খেজুৰ গছৰ শাৰী। ময়ো খৰধৰকৈ হাত মুখ ধুই কাপোৰকানি পিন্ধি ওলালো কিন্তু "পালেং চাহ" (Bed Tea) দিবলৈ অহা 'বয়'টোৱে কলে যে খৰধৰ কৰিব নালাগে, সাত বজাৰ আগেয়ে জাহাজ 'জেটিত' লেগাগে আৰু আমি এই জাহাজতেই "ব্রেকফাষ্ট" খাব লাগিব। মই অলপ কৌতুহলেৰে চাবিওফালে চাবলৈ ধৰিলো কিন্তু দুৱো দাঁতিয়ে খেজুৰ গছৰ বাহিৰে আন একোকে নেদেখিলো। আমি কেতিয়া নৈৰ মোহনাত সোমালোহি গম নাপালো ; ৭॥ মান বজাত জাহাজ পাবত লাগিল আৰু আমি নামোতে ৯ মান বাজিল। ভিন্ন ভিন্ন বিভাগৰ মানুহ ভিন্ন ভিন্ন ঠাইলৈ যাব লগাত পৰিল। আমি "মেডিকেল বি-ইনফোৰ্চমেণ্ট কেম্প"লৈ (Medical Reinforcement) যাবলৈ এখন ডবা গাড়ীত উঠিলো। মই এই কেম্পত পাঁচদিন থাকি বোগ্দাদলৈ যাবৰ হুকুম পালো। মই যাওঁতে "বচোৱা"ৰ পৰা 'বোগ্দাদলৈ' জাহাজেদি গৈছিলো কিন্তু ঘুৰি আহোতে বেলেবে ঘুৰি আহিবলৈ পাইছিলো। এই খিনিতে বেলৰ বিষয়ে একাষাৰ কওঁ। যুদ্ধৰ আগত মচোপটেমিয়াত বোগ্দাদৰ পৰা উত্তৰ পশ্চিম দিশে তাকঁৰ ৩৩৩৫ মাইল মাত্র বেলৰ লাইন আছিল। ইয়াৰ ইঞ্জিন আৰু কলকাৰখানা সকলো জার্ম্মানীত তৈয়াৰী। ৩০৩৫ মাইল হলেও আমাৰ যোৱহাটবেলৰ আনকি ভিক্তৰ বেলৰ লগতো তুলনা নহয়। ইঞ্জিন প্রকাণ্ড ডাঙৰ, লাইন "ব্রড্ গজ' (Broad Gauge), গাড়ী আদিও E. I. R.অতকৈও ডাঙৰ যেন হে লাগিল। যুদ্ধৰ সময়ত আৰু যুদ্ধৰ পাচত ইংৰাজ সকলে বোগ্দাদৰ পৰা বচোৱালৈ আৰু ওপৰত উল্লেখ কৰা ৩০৩৫ মাইল লাইনটোক ৮০ মাইল মানলৈকে উন্নিয়াই নিছিল, অৱশ্যে সকলো অস্থায়ীভাৱে। এই আটাইবিলাক লাইন "মিটাৰ গজ"ৰ আছিল। এই সকলোবিলাক ভাৰত



লিখক—১৯১৯—চাৰগটত

পৰা নিয়া পুৰবি লাইন আৰু গাড়ী। আৰু কৰ্ম্মচাৰীবিলাকো ভাৰতৰ বিভিন্ন বিভিন্ন বেল কোম্পানীৰ পৰা অনা মানুহ। এই লাইন খোলাত বিশেষ কষ্ট নাছিল কাৰণ মৰুভূমিত অস্থায়ী লাইন পতা একো কষ্টকৰ নহয়। এই বেলৰ প্রথমতে প্রথম, দ্বিতীয় বা তৃতীয় শ্রেণীৰ যাত্রীয়ে মালগাড়ীতেই যাব লগাত পৰিছিল, কিন্তু মাহ বছৰৰ পাচত ঘুৰি আহোতে মই দ্বিতীয় শ্রেণীত আহিবলৈ পাইছিলো। তেতিয়াও সেই লাইন অস্থায়ীভাৱেই আছিল।—আগলৈ

ভাৰতীয় ভাষাবিশ্লেষণৰ সংক্ষিপ্ত কাহিনী

—শ্রীযুত জয়কৃষ্ণ মিশ্র, বি-এ

মানুহে সাধাৰণতে দুই উপায়েৰে মনৰ ভাব প্রকাশ কৰিব পাৰে—মুখনিঃসৃত অর্থব্যঞ্জক শব্দৰাশিৰ দ্বাৰা অথবা অভিনয়ৰ দ্বাৰা। এই দুয়োবিধকে মূঠতে ভাষা বুলি পাৰি। কিন্তু দ্বিতীয় বিধ ভাষাৰ দ্বাৰা মনোভাব প্রকাশ কৰাত বহুত অসুবিধা আছে, বিশেষতঃ তেনেবিধৰ ভাষাক স্থায়িত্ব দান কৰিবৰ উপায় নাই। সেই হেতুকে আদিম কালত প্রচলিত থাকিলেও শাস্ত্রিক ভাষাৰ উৎপত্তি লগে লগে অভিনয়ৰ ভাষা লোপ পালে। শাস্ত্র-ভাষাৰ উৎপত্তি সম্বন্ধে নানা মুনিৰ নানা মত। সেইবিলাক ইয়াত তোলাৰ প্রয়োজন নাই।

এই যে শব্দৰাশিৰ সমষ্টিকপ ভাষা ই অতি বহুস্তময়। তাবুকৰ অন্তৰত ভাষাবহুস্তই নানাবিধৰ চিন্তাতৰঙ্গ তুলি দিয়ে। অতি প্রাচীন কালত যেতিয়া আন দেশৰ বহু মানুহ অসভ্যাৱস্থাত পৰি আছিল সেই সময়ত ঋগ্বেদৰ ঋষিসকলৰ মনত বাগ্দেবীৰ প্রতিষ্ঠা হয়। বাক্ ৰা শব্দই তেওঁলোকৰ অশেষ বিস্ময় উৎপাদন কৰিছিল। বৈদিক ঋষিসকলৰ মতে এই বাগ্দেবী সর্ব্বদেবময়ী আৰু সর্ব্বময়ী। আনকি উপনিষদত এওঁকেই 'বাগ্ বৈ ব্রহ্ম—The word is God'—বুলি উল্লেখ কৰিছে। উপনিষদত ব্রহ্ম শব্দে ঈশ্বৰক বুজায়। ইয়াতে এটা কথা নকৈ নোৱাৰি যে খৃষ্টানিবাদৰ বাইবেলমতেও শব্দই ঈশ্বৰ—"The word is God"। বেদত 'বাগ্ বৈ ব্রহ্ম' ইত্যাদি বাক্যৰ দ্বাৰা বাক্যক একেবাৰে অনাদি নিত্য ঈশ্বৰত পৰিণত কৰা কথাটো বহুতো খৃষ্টান পণ্ডিতে সহিব নোৱাৰি আন প্রকাৰৰ ব্যাখ্যা দিয়ে। তেওঁবিলাকে ভাবে যে সুসমাচাৰ প্রচাৰক ছেণ্ট জনৰ বহু শ বছৰ আগতে বাক্যক ব্রহ্ম-কপী বুলি কল্পনা কৰাটো আনবিলাকৰ পক্ষে অসম্ভৱ। মানুহতে কিন্তু বৈদিক সমাজৰ সমস্ত ঐতিহাসিক কাল ডোখৰ ব্যাপী অর্থাৎ ঋগ্বেদসংহিতাৰ কালৰ পৰা আজিলৈকে এই তত্ত্বটো বৈদিক সমাজত অত্যন্ত পৰিচিত তত্ত্ব। ঋগ্বেদসংহিতাৰ এজন দেৱতাৰ নাম বৃহস্পতি বা ব্রহ্মণস্পতি (ব্রহ্মৰ অর্থাৎ বেদবাক্যৰ পতি)। পৰবর্ত্তী কালত এই দেৱতাৰ নাম হৈছিল বাচস্পতি। ইয়াতে বুজাইছে যে বাক্ বা বেদবাক্যই ব্রহ্ম। ঋগ্বেদসংহিতাৰ দশম মণ্ডলত এটা সূক্ত আছে ; সেই সূক্তত বৃহস্পতিয়ে স্বয়ং অত্যন্ত বিস্ময়েৰে সৈতে এইদৰে কৈছে —এই যে বাক্ যি সৃষ্ট পদাৰ্থৰ নামকৰণৰ সময়ত প্রথমে আবিৰ্ভূত হৈছে, সেই বাক্ কোন গুহাৰ ভিতৰত লুকাই আছিল? কোন প্রেমৰ বলত এতিয়া সেই গুহাৰ পৰা ওলাই পবিল? "উত ত্বঃ পশ্চান্নদদর্শ বাচম্ ; উত ত্বঃ শৃণ্বন্ ন শৃণোতি এনাম্"—লোকে এওঁক দেখিও নেদেখে, শুনিও শুনুনে। "উতো ত্বস্মৈ তন্বং বিসস্রে, জায়েব পত্যে উশতী সুবাসাঃ।"—পত্নীয়ে যেনেকৈ শোভন বসন পৰিধান কৰি প্রতিৰ ওচৰলৈ যায় এৰো ঠিক তেনেকৈ প্রেমেৰে নিজৰ দেহ প্রকাশ কৰে। বৃহস্পতি স্বয়ং বাক্যৰ পতি ; এতেকে তেওঁৰ মুখেৰে এই বাক্ বৃহদাৰণ্যক উপনিষদৰ ভাষাৰে "মহতো ভূতস্য নিঃশ্বসিতম্" অর্থাৎ সেই মহাভূত ঈশ্বৰৰ নিঃশ্বাসস্বৰূপ। শতপথ ব্রাহ্মণত কৈছে যে প্রজাপতিয়ে প্রজাৰূপে বহু হবৰ কামনা কৰি তপস্যা কৰিছিল আৰু তপস্যাৰ বলেৰে প্রথমে ব্রহ্মৰূপ ত্রয়ীবিদ্যাৰ প্রকাশ কৰিছিল। শ্রীমদ্ভাগৱত পুৰাণৰ মতে এই বাক্য পুৰাণকৰি বিশ্ববিধাতাৰ চতুর্ম্মুখৰ পৰা প্রথমে সমীৰিত হৈছিল—"তেনে ব্রহ্মহৃদা য আদি কবয়ে।" অন্য পুৰাণৰ মতে এই বাক্যৰ আদিও নাই নিধনো নাই যদিও স্বয়ম্ভুৰ পৰা উৎসৃষ্ট হৈছে—"অনাদি-নিধনা নিত্যা বাগুৎসৃষ্টা স্বয়ম্ভুবা।" ঋগ্বেদতেই বাক্সূক্তত বাক্যৰ পৰা সমস্ত জগতৰ উৎপত্তি হোৱা বুলি অন্যূণ ঋষিৰ

বাক্ নামে কন্যাই গাইছে। এইদবে সমস্ত বৈদিক সাহিত্য ব্যাপী বাক্যক ব্রহ্মরূপে লোৱা দেখা যায়। পাছব কালৰ পূৰ্ব্বমীমাংসা দৰ্শনৰ আচার্য্যসকলে কোনো শব্দীবধাৰী দেৱতা নামানিছিল ; অইন কি প্রচলিত অর্থত ঈশ্বৰকো নামানিছিল। অথচ তেওঁলোকেও এই বেদবাক্যক নিত্য আৰু অপৌৰুষেয় বুলি মানি লৈছিল। এই শব্দই ঋষিবিলাকক দেখা দিছিল আৰু তেওঁলোকৰ মুখেৰে আত্ম-প্রকাশ কবিছিল। তাৰ পাছব কালৰ বৈয়াকৰণসকলেও বাক্যক ব্রহ্ম বুলি মানি লৈছিল। ভর্তৃহবিয়ে বাক্যপদীয় বুলি বিখ্যাত ব্যাকৰণতত্ত্বৰ গ্রন্থব আদিতে এইদবে লিখিছে—

অনাদিনিধনং ব্রহ্ম শব্দতত্ত্বং যদক্ষবম্,
বিবর্ততে হর্থভাবেন প্রক্রিয়া জগতো যতঃ।

অর্থাৎ আদিহীন নিধনহীন শব্দতত্ত্বই ব্রহ্ম আৰু সেই ব্রহ্মব পৰাই জগতব প্রক্রিয়া চলিছে।

ওপবোক্ত কথাবিলাকব পৰা দেখা যায় যে বিজ্ঞান-সম্মত শব্দতত্ত্ব বিশ্লেষণৰ আগৰ কালতে প্রাচীন বেদপন্থী বিলাকে ভাষাৰ ওপবত ভক্তি আৰু বিশ্বয়পূর্ণভাবেৰে দৃষ্টিপাত কবিছিল। তাৰ ফলত পৰবর্ত্তী কালত ভাষা-বিশ্লেষণ আবম্ভ হোৱা অতি স্বাভাবিক। কাৰণ যি ভাষাই ঋষিসকলৰ মনত ভক্তি আৰু বিস্ময়ৰ গভীৰ সাঁচ বাখি দিলে সেই ভাষাৰ তত্ত্বনির্ণয়ৰ বাবে তেওঁ-লোকে যত্নটো স্বতঃপ্রণোদিত। বিশেষতঃ বৈদিক মন্ত্র সকলৰ অনবৰত আলোচনা আৰু যাগ-যজ্ঞাদিত প্রয়োগ কবোঁতে আবৃত্তিৰ ফলতো সেই মন্ত্রবিলাকৰ শব্দবিলাকৰ মাজত থকা বিশেষ সম্বন্ধবিলাকৰ ওপবত নজৰ পবাটোও স্বাভাবিক। আৰু তাৰে ফলত ভাষাতত্ত্ববিশ্লেষণৰ স্পৃহা অলপ অলপকৈ বৰ্দ্ধিত হোৱাব ফলত পৰবর্ত্তী কালৰ বৈজ্ঞানিক ভাষাবিশ্লেষণৰ প্রাদুর্ভাব হয়।

শব্দৰ প্রকৃতি প্রত্যয়াদিব বিশ্লেষণব চেষ্টা আমি প্রথমতে ব্রাহ্মণ-গ্রন্থবিলাকত পাওঁ। বেদবেই শেষভাগৰ নাম ব্রাহ্মণ। এই ব্রাহ্মণ গ্রন্থবিলাকতে কোনো কোনো শব্দৰ কাল্পনিক বিশ্লেষণ পোৱা যায়। কিন্তু তেতিয়াও নিয়মিত-ৰূপে ব্যাকৰণব বা ভাষাবিশ্লেষণব আবম্ভ হোৱা নাই। তাৰ পাছব কালত যেতিয়া বৈদিক মন্ত্রবোৰ বচনাৰ অবসান হল আৰু বৈদিক গ্রন্থবিলাক পূর্ণভাৱে কণ্ঠস্থ কবি বাখিবৰ দৰ্কাৰ হৈ পবিল তেতিয়াৰ পৰাই নিয়মিত-ৰূপে ব্যাকৰণৰ আলোচনা হবলৈ ধবিল। ঋগ্বেদসংহিতাৰ পদপাঠেই নিয়মিত শব্দভাঙনীৰ প্রথম প্রচেষ্টা। ঋগ্বেদ সূক্তবিলাকৰ কোনো বিকাৰ বা পাঠান্তৰ নোহোৱাকৈ বখাব বাবে সেই সূক্তবিলাকব পদবিলাক এটা-এটাকৈ সন্ধি-সমাস আদিব বিশ্লেষণ কবি ভাঙি বখা হয়। তাকেই পদপাঠ বোলে। সেই পদপাঠৰ কালতেই নিয়মিত ভাষাবিশ্লেষণৰ প্রথম চেষ্টা।

পদপাঠৰ পাছত প্রাতিশাখ্যৰ কাল। সেই কালতেই বৈয়াকৰণিক গবেষণাৰ সূত্রপাত হয়। সেই কালত পৰাই ভাৰতীয় বৈয়াকৰণসকলে ব্যাকৰণৰ মূল তথ্যবিলাক অনুসন্ধান কবি সেইবিলাকক বিজ্ঞানসম্মত প্রণালীবে আলোচনা কবি স্বাধীন প্রতিভাৰ বিকাশ দিশেষভাৱে দেখুবাই গৈছে। ব্যাকৰণ বিশ্লাগঠনত হিন্দুবিলাকে বাহিবৰ কোনো জাতিব পৰাই সহায় পোৱা নাই।

ভাষাবিশ্লেষণৰ অতিপ্রাচীন গ্রন্থ ঋগ্বেদপ্রাতিশাখ্য (বেদসকলৰ প্রত্যেক শাখাবে নিজ নিজ ব্যাকৰণ গ্রন্থ আছিল আৰু সেইবিলাকৰ নাম প্রাতিশাখ্য)। সেই গ্রন্থত বাক্যাংশৰ (Parts of speech) নির্দ্দেশ বিভাগ কবা হৈছে। বর্ত্তমান কালত আমি অভ্যাসবশতঃ ব্যাকৰণৰ বাক্যাংশবিভাগক অতি সহজ বুলি ভাবিব পাৰোঁ। কিন্তু এনে এসময় আছিল যেতিয়া এই বব বিষান লোকসকলে মুব ঘমায়ো বাক্যৰ নির্দ্দোষভাৱে পদবিভাগ কবিব পৰা নাছিল ; এবিষ্টটল্ নাইবা প্লেটোৰ দিনত বাক্যাংশৰ নির্দ্দোষ বিভাগ হোৱা নাছিল। কিন্তু উক্ত পণ্ডিত দুজনাৰ জন্মৰ বহ শ বছব আঁগতেই ভাবতীয় বৈয়াকৰণ সকলে বাক্যাংশৰ নির্দ্দোষ বিভাগ কবি তুলিছিল। ঋগ্বেদপ্রাতিশাখ্য আৰু যাস্কাচার্য্যৰ নিৰুক্তগ্রন্থত আমি বাক্যৰ পদবিভাগৰ আলোচনা পাওঁ। পণ্ডিতসকলৰ মতে নিৰুক্ত খৃঃ পূঃ ৫০০ বছৰৰ আগৰ গ্রন্থ আৰু ঋগ্বেদ প্রাতিশাখ্য তাতোকৈ অনেক প্রাচীন কালৰ। এই গ্রন্থত

বাক্যাংশ বা পদবিলাকক চাবিশ্রেণীত বিভক্ত কবিছে। যেনে—

নামাখ্যাতমুপসর্গো নিপাতঃ
চত্বার্য্যাহঃ পদজাতানি শাব্দাঃ।

অর্থাৎ নাম (nouns), আখ্যাত (verbs), উপসর্গ আৰু নিপাত এই চাবিবিধ পদ। এই শ্রেণীবিভাগৰ যথার্থতে কোনো দোষ নাই আৰু সকলো পদকে এই বিভাগৰ অন্তর্ভুক্ত কবিব পাবি। তাৰ পাছত নাম আৰু আখ্যাতৰ সুন্দৰ লক্ষণ উক্ত শ্লোকব দ্বিতীয়ার্দ্ধত এইদবে দিছে—

তত্রাম যেনাভিদধাতি সত্ত্বং
তদাখ্যাতং যেন ভাবং স ধাতুঃ।

অর্থাৎ সত্ত্ববাচক বা দ্রব্যবাচক পদবিলাক নাম আৰু ভাববাচক বা ক্রিয়াবাচক পদবোৰ আখ্যাত আৰু যেনে ধাতু। প্লেটো আৰু এবিষ্টটলে নাম আৰু আখ্যাতৰ সাৰ্থক লক্ষণ কবিব পবা নাছিল। প্রাতিশাখ্যৰ পাছত নিৰুক্তকাৰ যাস্কাচার্য্যয়ে (খৃঃ পূঃ ৫০০) উক্ত শ্রেণী বিভাগ আৰু লক্ষণকেই গ্রহণ কবিছে। তেওঁ এইদবে লিখিছে :—"তান্যেতানি চত্বারি পদজাতানি নামাখ্যাতে গোপসর্গনিপাতাশ্চ তানীমানি ভবন্তি।—তৈতেভ্যো নামা-খ্যাতয়োর্লক্ষণং প্রদিশন্তি ভাবপ্রাধান্যমাখ্যাতম্, সত্ত্ব প্রধানানি নামানি।" তাৰ পাছত তেওঁ এই লক্ষণক অবলম্বন কবি বিশেষ বিশেষ সিদ্ধান্ত কবিছে। সেই বিলাকব দুই এটি ইয়াত সংক্ষেপে কব পাবি। কাৰণ আমাৰ ভাষাতাত্ত্বিকসকলৰ মাজত যাস্কাচার্য্যৰ ঠাই অতি ওখ। তেওঁৰ কেৱলমাত্র নিৰুক্ত বুলি গ্রন্থখন পোৱা যায়। এই নিৰুক্ত নিঘণ্টু নামে অতি প্রাচীন কালতে সঙ্কলিত কিছুমান সাধাৰণ সংস্কৃতভাষাত অপ্রচলিত শব্দতালিকাৰ ব্যাখ্যা। এই ব্যাখ্যাৰ ভূমিকাত যাস্কই শব্দতত্ত্বৰ কিছুমান আৱশ্যকীয় বিষয়ৰ আলোচনা কবিছে। তাবে ভিতবৰ নাম আৰু আখ্যাত সম্পর্কে দুই এটা সিদ্ধান্তৰ উল্লেখ কবা হক। তেওঁ কৈছে যে নাম (nouns) সত্ত্বপ্রধান অর্থাৎ প্রধানভাবে দ্রব্যক বুজায় আৰু আখ্যাত বা ধাতু (verbs) ভাবপ্রধান অর্থাৎ প্রধানভাবে ভাব বা ক্রিয়াক বুজায়। ইয়াত 'প্রধান' এই বিশেষণটো দিয়া হৈছে কাৰণ সত্ত্ববাচক নাম ক্রিয়াৰ লগত সম্বন্ধ নহলে থাকিব নোৱাবে। আৰু সেইদবে ভাববাচক আখ্যাতো সত্ত্ব বা দ্রব্যৰ লগত সম্বন্ধৰ বাহিবে থাকিব নোৱাবে। যেনে—'পচতি' (পাক কবে) বুলিলে বহতো কথা আহি পবে—যেনে, বর্ত্তমান কাল, কর্ত্তাকাৰক, খবি, জুই আদি সাধন সমূহ ইত্যাদি। কিন্তু তথাপি 'পচতি' বুলিলে পাক কবা ক্রিয়াত হে আমাৰ বিশেষ প্রত্যয় হয়। এতেকে 'পচতি' ইয়াত ক্রিয়াইহে প্রধান আৰু সেইদেখি ই ধাতু বা আখ্যাত। নামবো দ্রব্যপ্রধানত্ব লক্ষণ এইদবে লব লাগিব। তাৰ পাছত ক্রিয়াবাচক আখ্যাত বা ধাতুসম্বন্ধে এটা সন্দেহ উপস্থিত হয়। সেইটো এই—আখ্যাত পদে যাক বুজায় তাৰ অনেক ক্রিয়া থাকে ; তেনেস্থলত কোনটো ক্রিয়াক আখ্যাত বা ধাতুৰে বুজাব ? অর্থাৎ ব্রজতি (গৈছে) বুলিলে গম্যস্থান পোৱাৰূপ ফল সম্পন্ন নহয়মানে ক্রিয়াটো চলি থাকে ; কাজেই ক্রিয়াৰ অনেক স্বরূপ হয়। যেনে—গম্যস্থান নাপায় মানে কিছু বাটব ঘোৱা কার্য্য অতীত হয়, কিছুবাটত কার্য্য বর্ত্তমান আৰু বাকী বাটব ঘোৱা ক্রিয়া ভবিষ্যততে থাকে। এতিয়া ইমানবিলাক ক্রিয়াৰ কোনটোক বা কোনবোবক ধাতুৰে বুজাব ? এই প্রশ্নৰ সন্দেহত নিৰুক্তকাৰ যাস্কই কৈছে :—"পূর্ব্বাপবীভূতং ভাব আখ্যাতেন আচষ্টে—ব্রজতি, পচতি ইতি উপক্রম-প্রভৃতি অপবর্গপর্য্যন্তম্।" অর্থাৎ এটা ধাতুই বা আখ্যাতে এটা ক্রিয়াব আদিব পৰা অন্তলৈকে যিমানবিলাক ভাব থাকে সমস্তকে মুঠ কবি এটা ক্রিয়া বুলি ধবি লব। ইয়াতেই ক্রিয়াব লক্ষণব নিষ্পত্তি হল। ইয়াত বাহিবেও যাস্কই অনেক ভাষাতত্ত্বৰ গাণতিয়াল কথাৰ আলোচনা কবিছে। সেইবিলাকৰ বাহুল্যভাৱে আলোচনা কবিলে নতুন এটা প্রবন্ধৰ আৱশ্যক ভাবি ইয়াত অনিচ্ছাসত্ত্বেও এই প্রসঙ্গব বিবাম কবা গল।

যাস্কাচার্য্যৰ আগৰ অনেক নিৰুক্তকাৰৰ নাম তেওঁৰ গ্রন্থতেই পোৱা যায় কিন্তু আন কাৰো গ্রন্থত পোৱা নাযায়। নিৰুক্ত শব্দৰ অর্থ নির্ব্বচন অর্থাৎ শব্দবিলাকক প্রকৃতি প্রত্যয় বিভাগ কবি ব্যাখ্যা কবা। বেদব ছটা অঙ্গৰ

ভিতৰৰ ইও এটা অঙ্গ। বেদৰ আৰু এটা অঙ্গ হৈছে ব্যাকৰণ অর্থাৎ ভাষাক বিহে বিশ্লেষণ (analyse) কৰে। কাজেই নিৰুক্তৰ পাছৰ কালত ভাষাতত্ত্বৰ গ্ৰন্থবিলাক এই বিদ্যাৰ অন্তৰ্ভুক্ত। এই ব্যাকৰণশাস্ত্ৰই ভাষাবিশ্লেষণ সম্বন্ধে প্ৰাচীন ঋষিসকলৰ অদ্ভুত মনীষাৰ প্ৰমাণ দিয়ে। প্ৰচলিত ব্যাকৰণ বিলাকৰ ভিতৰত পাণিনিমুনি বিৰচিত অষ্টাধ্যায়ী ব্যাকৰণেই অতি প্ৰাচীন। পণ্ডিতসকলৰ মতে পাণিনিৰ কাল ৪০০ খৃঃ পূঃ। তেওঁৰ আগতো অনেক বৈয়াকৰণ আছিল বুলি প্ৰমাণ পোৱা যায়, কাৰণ পাণিনিৰ গ্ৰন্থতেই বহুতো পূৰ্ব্বগামী বৈয়াকৰণৰ নাম আৰু মতৰ উল্লেখ আছে। কিন্তু তেওঁবিলাকৰ এজনৰো গ্ৰন্থ আজিকালি পোৱা নাযায়। ইয়াৰ কাৰণ বোধ কৰোঁ পাণিনিৰ ব্যাকৰণ সকলো বিষয়তে সর্ব্বশ্ৰেষ্ঠ হোৱাৰ গুণে আনবিলাক ব্যাকৰণৰ পঠন-পাঠনাদি নোহোৱাত সিবিলাক ক্ৰমে লোপ পালে। আদি বৈয়াকৰণ সকলে যিবিলাক ভাষাগত মূলতথ্য আবিষ্কাৰ কৰি নিজ নিজ গ্ৰন্থত নিবন্ধ কৰি থৈ গৈছিল সেই সমস্তকে পাণিনি মুনিয়ে নিজৰ অপূর্ব্ব প্ৰতিভাৰ বলত অষ্টাধ্যায়ী সূত্ৰত এক সমন্বয়ত গাঁথি তুলিলে। তেওঁৰ ব্যাকৰণ সূত্ৰাকাৰে ৰচিত হৈছে। সেই সূত্ৰবিলাক অতি সংক্ষিপ্ত ভাষাৰে নির্ম্মিত আৰু প্ৰায়বিলাকেই পৰস্পৰ-সাপেক্ষ। এই সূত্ৰবিলাকৰ ৰচনা-কৌশলত (mechanism) অলপ প্ৰবেশ নাথাকিলে লিখি সিবিলাকৰ স্বৰূপ বুজোৱা টান। পাণিনিয়ে তেওঁৰ ব্যাকৰণত সমস্ত সংস্কৃত আৰু বৈদিক ভাষা-বিশ্লেষণ কৰিছে। এই বিশ্লেষণত শব্দবিলাকৰ পৰস্পৰ সম্বন্ধ আৰু প্ৰত্যেক শব্দৰ প্ৰকৃতিপ্ৰত্যয় আদি নির্ণয় ইত্যাদিক্ৰমে অনেক তথ্যৰ বিচাৰ আছে। এই ভাষাবিশ্লেষণৰ সমস্ত তথ্যবিলাক দার্শনিক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত। পাণিনি আৰু তেওঁৰ পূর্ব্ববর্ত্তী বা পৰবর্ত্তী বৈয়াকৰণসকলৰ গ্ৰন্থত আমি তুলনামূলক ভাষাবিশ্লেষণৰ চেষ্টা যদিওনেদেখোঁ তথাপি ভাষাতত্ত্বৰ দার্শনিকভাৱ আলোচনাত তেওঁবিলাকে বহুদূৰ পাইছিল। এইগুণেই সংস্কৃত ব্যাকৰণ সাহিত্যটো অকলে এটা প্ৰকাণ্ড সাহিত্য হৈ পৰিছিল আৰু সেই সাহিত্য অধ্যয়নতে অনেক শিক্ষার্থীয়ে জীৱনপাত কৰি গৈছে।

পাণিনিমুনিৰ পাছৰ পৰা ব্যাকৰণ আলোচনাৰ এটা নতুন যুগৰ প্ৰবর্ত্তন হয়। পাণিনিৰ আগত আৰু তেওঁৰ অনেক পাছৰ কাললৈকো সংস্কৃত ভাষা কথিত ভাষাৰূপে ব্যৱহৃত হৈছিল। সেই গতিকে ভাষাটো গতিশীল আছিল। আৰু পাণিনিৰ কিছুকাল পাছত পাণিনিৰ ব্যাকৰণৰ লক্ষণবোৰে ভাষাত প্ৰতিষ্ঠা নতুন শব্দবিলাক ব্যাখ্যা কৰিব নোৱাৰাত পৰিল। সেই দেখি পাণিনিৰ প্ৰায় এশ বছৰমান পাছৰ কাত্যায়ণ মুনিয়ে পাণিনি সূত্ৰৰ পৰিপূৰক স্বৰূপ বার্ত্তিক সূত্ৰ বুলি কিছুমান সূত্ৰ ৰচনা কৰিলে। এই বার্ত্তিক সূত্ৰ বিলাকে পাণিনিৰ পাছত ভাষাত সোমোৱা নতুন শব্দৰ আকৃতি বিলাকৰ বিচাৰ কৰিছে। কাত্যায়ণৰ প্ৰায় এশমান বছৰৰ পাছত পতঞ্জলি মুনিৰ আবির্ভাৱ হয়। এইজন মুনিয়ে মহাভাষ্য নামেৰে বিপুলগ্ৰন্থত পাণিনি আৰু কাত্যায়ণৰ সূত্ৰবিলাক ব্যাখ্যা কৰিলে আৰু সেই সময়ত প্ৰচলিত নতুন কিছুমান ভাষাগত ব্যতিক্ৰমৰ সমাধান কৰিলে। পতঞ্জলিৰ কালতো সংস্কৃত ভাষা কথিতৰূপে ব্যৱহৃত হৈছিল। এই তিনিওজন মুনিয়েই সংস্কৃতৰ 'ভাষা' নামেৰে অভিহিত কৰি গৈছে। পতঞ্জলিৰ বিশাল মাহাভাষ্যত ভাষাৰ নতুন নতুন অনেক তথ্যৰ ব্যাখ্যা পোৱা যায়। তেওঁৰ আগৰ বৈয়াকৰণ সকলে যিসকল ভাষাতত্ত্বৰ কথা উদ্ঘাটিয়াই গৈছে সেইবিলাককে তেওঁ বিস্তৃতভাৱে আলোচনা কৰিছে। তেওঁৰ গ্ৰন্থত বহুতো উচ্চভাৱৰ ভাষাতত্ত্বৰ আলোচনা পোৱা যায় আৰু ঠাইে ঠাইে সামাজিক আৰু ঐতিহাসিক কিছুমান তথ্যৰো বিৱৰণ পোৱা যায়। এই বিশাল গ্ৰন্থৰ কোনো বিৱৰণ দিয়া ইয়াত সম্ভৱপৰ নহয়। ওপৰোক্ত পাণিনি, কাত্যায়ণ, আৰু পতঞ্জলিৰ দ্বাৰা শাসিত সূত্ৰ, বার্ত্তিক আৰু মহাভাষ্য এই তিনিওখনকে ত্ৰিমুনি ব্যাকৰণ বোলে। এই তিনি মুনিৰ প্ৰচাৰিত ব্যাকৰণৰ বাহিৰে কোনো পৰবর্ত্তী বৈয়াকৰণে ভাষাৰ নতুন শব্দৰ আকৃতিৰ অনুশাসন কৰা নাই। পতঞ্জলিৰ পাছৰ পৰা ব্যাকৰণ সাহিত্যটোৱে বিশেষকৰে পৰিপুষ্টি লাভ কৰিলে আৰু অনেক মনীষীয়ে বহু যত্নেৰে এইসকল



আচম্বিতে।

শিল্পী—শ্ৰীযুক্তেশ্বৰ নাথ।

লক্ষ্মীবিলাস প্ৰেছ লিমিটেড, কলিকাতা।

অধ্যয়ন করি অনেক সূক্ষ্ম তথ্যর অবতারণা করিবলৈ ধরিলে। পতঞ্জলির বহুকালর পাছত ভর্তৃহরিয়ে 'বাক্যপদীয়' নামেরে বিখ্যাত দার্শনিক গ্রন্থত ব্যাকরণর মৌলিক তথ্যবিলাকর বিস্তৃত আলোচনা করে। এওঁর গ্রন্থখন শ্লোকত লিখা। এওঁর দিনত ব্যাকরণ শাস্ত্রই দর্শন আরু এনেকি বৈদিক শাস্ত্ররো সমান ঠাই আরু গৌরর অধিকার করে। এওঁর সময়ত ব্যাকরণ শাস্ত্র অতি পরিত্র বুলি বিবেচিত হয় আরু এই শাস্ত্রর অধ্যয়ন করিলেহে মোক্ষ প্রাপ্তি হয়, এনেকুরা মতবাদ পণ্ডিত মণ্ডলীর মাজত সোমায়। ভর্তৃহরিয়ে অতি প্রাচীন বৈদিক মত অনুসারে কয় যে শব্দরূপী ব্রহ্মর পরাই এই জগতর উৎপত্তি হৈছে *। এই প্রবন্ধর আদি ছোরাতেই ভর্তৃহরির এই মতর শ্লোকটো দিয়া হৈছে। সেই শ্লোকর পাছর শ্লোক দুটিমানো ইয়াত দিয়া হল :—

আসন্নং ব্রহ্মণস্তস্য তপসামৃত্তমং তপঃ।
প্রথমং ছন্দসামঙ্গং প্রাহুর্ব্যাকরণং বুধাঃ।

অর্থাৎ সেই শব্দব্রহ্মর তপস্যাসকলর প্রধান ফল এই ব্যাকরণ, যি বেদর অঙ্গসকলর ভিতরত প্রধান।

তদ্ দ্বারম্ অপবর্গস্য বাঙ্‌মলানাং চিকিৎসিতম্
পবিত্রং সর্ব্বশাস্ত্রাণাম্ অধিবিদ্যং প্রকাশতে।

অর্থাৎ এই ব্যাকরণ শাস্ত্র অপবর্গ অর্থাৎ মোক্ষর দুৱারস্বরূপ। এই বিদ্যাই বাক্যর মলর চিকিৎসা করে আরু ই সকলো শাস্ত্রর ভিতরত অতি পরিত্র আরু সকলো বিদ্যার ওপরত। শেষর শ্লোকটোর মতর যুক্তি এই যে ব্রহ্মক জানিলেহে মোক্ষ লাভ হয়। ব্রহ্ম শব্দরূপী এতেকে শব্দজ্ঞানেই ব্রহ্মজ্ঞান। সেই শব্দর জ্ঞান ব্যাকরণ শাস্ত্রর অধ্যয়নর পরা হয়। এই হেতুকে ব্যাকরণ শাস্ত্রই মোক্ষলাভর দুৱার ; এতেকে ই সকলো বিদ্যার ওপরত। বিশেষতঃ ব্যাকরণ পঢ়ি শব্দর জ্ঞান লভিলে হে আন সকলো শাস্ত্রতে প্রবেশ লাভ হয় আরু সেই হেতুকেও ব্যাকরণ বিদ্যা গৌৱরান্বিত।

ভর্তৃহরিয়েই মৌলিক ভাষাতাত্ত্বিকসকলর শেষ গ্রন্থকার। তেওঁর সময়লৈকে পাণিনিমুনির প্রচারিত বিশ্লেষণ (analytic) প্রণালীরে শব্দবিজ্ঞানর আলোচনা হয়। তেওঁর পাছর টীকাকারসকলে মৌলিক কোনো বিশেষ তথ্যর আলোচনা করা নাই বুলিলেও হয়। কেৱল নৈয়ায়িকসকলর 'শব্দশক্তি' বিচারক ভাষাতত্ত্বর আধুনিক গ্রন্থসকলর মাজত মৌলিক বুলি ধরিব পারি। কিন্তু বাকী ব্যাখ্যাকারসকলে পুখুরি তথ্যবোরর সূক্ষ্মাতিসূক্ষ্ম বিচার করি প্রকাণ্ড গ্রন্থবিলাক লিখিছে। সেইসকলক ধরিয়ে সংস্কৃত ব্যাকরণ বিদ্যা স্বতন্ত্র এটা সাহিত্যরূপে পরিগণিত হল। এইবিলাক এরিও সংশ্লেষণ (Synthetic) প্রণালীরে শব্দর আকৃতি আলোচনা করা আধুনিক ব্যাকরণসকল ওলাল। পাণিনির আরু তেওঁর পরবর্ত্তী দুই মুনির সময়ত সংস্কৃত কথিত ভাষা আছিল ; এই গতিকে এই ভাষার বিশেষত্ব কালক্রমে লরি আছিল। আরু সেই কারণে তেওঁলোকর ভাষা আলোচনার প্রণালীও 'বৈশ্লেষিক' (analytical)। কিন্তু নব্য বৈয়াকরণ সকলর দিনত সংস্কৃত কেৱল সাহিত্যিকর হে ভাষা হৈ পরিল ; এতেকে তেওঁলোকে শব্দবিশ্লেষণত মন নিদি শব্দনির্ম্মাণত বেছি মন দিব লগাত পরিল। তারে পরাই নব্যদর্শন কলাপ, মুগ্ধবোধ প্রভৃতি 'সাংশ্লেষিক' (synthetical) ব্যাকরণ বিলাকর ঠাইয়ে ঠাইয়ে উৎপত্তি হল। এইবিলাক ব্যাকরণ

* মীমাংসকসকলরো এই মত। তেওঁলোকর মতে শব্দ নিত্য এতেকে বেদো শব্দসমষ্টি বুলি নিত্য। শব্দই ব্রহ্ম আরু এই শব্দব্রহ্মর পরা জগতর উৎপত্তি। তেওঁলোকর মতর প্রধান ভিত্তি এই যে সৃষ্টি বা নির্ম্মাণকার্য্য আগতে ভাবর প্রয়োজন। যেনে—কুমারে ঘট সৃষ্টি করিতে মনরে ঘটর স্বরূপ আরু সেই স্বরূপ দিবলৈ কি কি করা হব সেইবিলাকর ক্রম ইত্যাদি কথাবিলাক মনত ভাবে তেহে তার পাচত ঘট করে। কিন্তু ভাবির লাগিলেই ভাষা বা শব্দর প্রয়োজন (Ideation is impossible without words or language)। এতেকে সকলো নির্ম্মাণ কার্য্যর মূল ভাব (Ideation) আরু তার মূল শব্দ। কাজেই শব্দর প্রভাবত সমীম জগতর কার্য্যবিলাক নিরবে চলে সেইবরে এই অসীম জগতরো কার্য্যবিলাক শব্দব্রহ্মর দ্বারাই চালিত হৈছে। মীমাংসক আরু বৈয়াকরণসকলর ফোটনাদত (Theory of indelibility of words) এই তত্ত্বর বিস্তৃত আলোচনা পোরা যায়। পাঠকসকলর অবগতির অর্থে অতি সংক্ষেপে ইয়াত দুই আষার বানতে কোরা হল।

দেশে দেশে অতীত হবলৈ ধৰাত টীকা ব্যাখ্যা আদিও ওলাবলৈ ধৰিলে আৰু এইদৰে এইবিলাক ব্যাকৰণে বিশেষ পৰিপুষ্টি লাভ কৰি সংস্কৃত ব্যাকৰণ সাহিত্যক মহা আড়ম্বৰ কৰি তুলিলে। এই বিলাক নতুন নতুন ব্যাকৰণৰ (systems of grammar) ভিতৰত কোনো নবাবিষ্কৃত বিশেষ শাস্ত্রিক তথ্য নাথাকিলেও আন ছিটাপে অনেক বৈশিষ্ট্য আছে। পাণিনিৰ কালতে প্ৰচলিত অথচ পাণিনিৰ দ্বাৰা অগৃহীত অনেক মত এইসকল ব্যাকৰণত পোৱা যায়। ভাৰতবৰ্ষৰ নানা ঠাইত নব্য-ব্যাকৰণসকলৰ কোনো এখন বা বেছি আজিকালি অধীত হয়। পাণিনিৰ 'বৈয়েসিক' প্ৰণালীৰ অনুগত নহৈও এইবিলাক ব্যাকৰণৰ 'সাংশ্লেষিক' প্ৰণালীবে সংস্কৃত ভাষাত বিশেষ পাণ্ডিত্য লাভ কৰিব পাৰি। কাৰণ অধ্যয়নৰ প্ৰণালীৰ বৈশিষ্ট্যৰ বাহিৰে মূল তথ্যবিলাক প্ৰাচীন বৈয়াকৰণ সকলৰ মতে নব্য সকলতো আছে। অসমৰ দি দি অংশত সংস্কৃতৰ আলোচনা আছে তাত 'প্ৰয়োগৰত্নমালা' নামেৰে সংশ্লেষণ প্ৰণালীবে ৰচিত ব্যাকৰণ প্ৰচলিত। এই ব্যাকৰণ প্ৰাচীন কামৰূপৰ ভিতৰুৱা কোঁচবিহাৰৰ নৰনাৰায়ণ ৰাজাৰ সভাপণ্ডিত মহা-মহোপাধ্যায় পুৰুষোত্তম বিদ্যাবাগীশৰ দ্বাৰা ৰচিত হৈ সেই কালৰ পৰা আজিলৈকে অসমত প্ৰচলিত হৈ আছে।

আমি এই কাহিনী ইয়াতেই সমাপ্ত কৰিব খোজোঁ। কোনো পণ্ডিতে সম্পূৰ্ণভাৱে এই কাহিনী লিপিবদ্ধ কৰা নাই। ভাৰতীয় দৰ্শনৰ ইতিহাস সম্বন্ধে অনেক গ্ৰন্থ ইংৰাজী ভাষাত ৰচিত হৈছে। কিন্তু ব্যাকৰণ সাহিত্যৰ সকস্বন্ধে দুই এখনত বাজে সম্পূৰ্ণ ধাৰাবাহিক বিজ্ঞানসম্মত এখন কাহিনীৰ অপেক্ষা এতিয়াও আছে। আমি নিচেই চমুকৈ সেই কাহিনীৰ দুই এটি বিষয়ৰ ইয়াত দিলোঁ। অৱশ্যে কি আমাৰ দেশত প্ৰচলিত 'প্ৰয়োগৰত্নমালা' ব্যাকৰণৰ মৌলিক বিশিষ্টতা আৰু তাৰ ৰচনাৰ ইতিহাস সম্বন্ধে অনেক বক্তব্য থাকিলেও এই চুটী প্ৰবন্ধত ইচ্ছাসত্বেও কব নোৱাৰিলোঁ। অন্য অবকাশত এই সম্বন্ধে দুই এটি কথা কবৰ ইচ্ছা থাকিল।

পূজা

কবিতা— —শ্ৰীযুত হিতেশ্বৰ ববৰকৰা

কিৰূপে তোমাৰ প্ৰভো ! পূজা দিম চৰণত ?
সংসাৰ ব্যাপি যে তুমি আছা, দয়াময় !
আহ্বান তোমাক আজি কিৰূপে কৰিম আমি,
কিৰূপে তোমাক থাপোঁ বুজা নাই মই ?
তোমাৰেই ওপৰতে কিৰূপে থাপিম আমি
তোমাক হে দয়াময় ! সিংহাসন পাৰি ?
তুমি সৰ্ব্ব মূলাধাৰ সকলো তোমাৰে জানো,
আসন তোমাক কিয় লাগিছে মুৰাৰি ?

স্বচ্ছ তুমি নিজে প্ৰভো ! কিয় লাগে পাদ্য অৰ্ঘ্য,
তুমি যে চিৰ-পৰিত্ৰ, কিয় আচমন ?
নিৰ্ম্মলজনক কিয় প্ৰক্ষালিব লাগে আনি
গন্ধোদকে স'তে ? ইটো কিনো আচবণ ?
ভ্ৰান্তিপূৰ্ণ ই সংসাৰ, হে আমাৰ জ্ঞানাতীত !
তোমাৰ প্ৰতিষ্ঠা মিছা ! তুমি চিৰ-প্ৰতিষ্ঠিত।

মঙ্গলতি

গল্প— —শ্ৰীযুত বাপুৰাম কাকতী

(১)

আজি কেবাদিনো গাটো ভাল নহয়। সোনকালে কাহাৰীৰ পৰা ছুটী লৈ আহি বিছনাতে বাগৰ এটা মাৰিছোঁ; টোপনিও নাহে, ওচৰবে আলমাৰি এটাৰ পৰা মাহেকীয়া আলোচনী এখন আনি ইপাত-সিপাত কৰি লুটিয়াই বগৰাই আছোঁ। হঠাৎ চকুত পৰিল 'সমালোচনা'। "জীৱনৰ বাট" নামে হেনো এটা গল্প যোৱা মাহৰ আলোচনীত প্ৰকাশ হৈছিল। সকলোৱে লিখকক একমুখে শলাগি কৈছে বোলে এনেকুৱা গল্প যে অসমীয়া লিখকৰ ভোটা খাগৰী কাণৰ মুখৰ পৰা ওলাব পাৰে, এনে ধাৰণা অতদিনে হেঁচেতসকলৰ নাছিলেই। মনটো উচপিচাই উঠিল। আলমাৰিটো জাৰিংজোকাৰি যোৱা মাহৰ আলোচনীখন লৈ "জীৱনৰ বাট" নামৰ সাধুটো উলিয়াই পঢ়িছোঁ।

লিখকে আৰম্ভ কৰিছে—নগৰৰ মাজেদি এটা অঁকা-বাঁকা আলি। তাৰ দাঁতিত শাৰীয়ে শাৰীয়ে পকীঘৰ। প্ৰত্যেক ঘৰৰ সমুখত একোখনি সৰু সৰু ফুলনি ; তাৰ মাজতে একোটি বৈজ্ঞানিক প্ৰণালীবে তৈয়াৰ কৃত্ৰিম পানীৰ "ফোৱাৰা—" ফি-ফি কৰে ওপৰলৈ পানী ছটিয়াইছে। তাবে এখন সৰু ফুলনিত বহি এজনী ১৫।১৬ বছৰীয়া দীপ্-দীপ্ ছোৱালীয়ে হাতত বীণা লৈ গাইছে—কাৰ বাহীৰ মাতত পুৱতি নিশা মনপ্ৰাণ পমি যায় হে। যেন নন্দনত উৰ্ব্বশী কি নেনকা ! কি সুৰ, কি লয়, কি সধাৰ ! মুগ্ধ চকুবে চাই আছোঁ। হঠাৎ ছোৱালীজনী উচপ্ খাই উঠি আই ওঁ বুলি চিঞৰ মাৰিলে। ওচৰ চাপি গৈ দেখিলো এটা প্ৰকাণ্ড সাপ, ওচৰতে ফেঁট তুলি আছে। হাতত থকা লাখুটিদালেবে সাপটোৰ মুবত মাৰ মাৰি দিলো। সেই দিনে সি ধাল খাই পৰি গল। ছোৱালীটিয়ে অন্তৰব কৃতজ্ঞতা জনাই মোৰ হাতত ধৰি কলে, "মই আপোনাক আজিয়েই মন-প্ৰাণ সঁপি দিলো। মই আপোনাৰ।"

হাতৰ কাগজখন দলিয়াই পেলাই কলো "ভাল আপদ ! এই নতুন নতুন লেখকবোৰক পালে কিহে ? সম্পাদকবো হ'ল কি ? এজাকে যি ইচ্ছা লেখি যাব, আন এজাকে সোধ নাই পোছ নাই গাঁথিব কেচা ধন'ভাঙ্গি পঠিব। নাই তাত ৰাম-ৰাৱণৰ যুদ্ধৰ কথা, নাই তাত সীতাৰ বনবাসত গছৰ চবাই-চিকিকতিৰ বিলাপ ; আছে মাথোন, হা ভালপাওঁ হা ভালপাওঁ ! সেই চকাষে দুশাবী পকী ঘৰৰ চুৱাৰমুখে চুৱাবমুখে ফুলবাগিছাৰ মাজত কৃত্ৰিম "ফোৱাৰা" কোনখন নগৰত আছে ? যদিওবা ক'বৰাত আছে কোনজনী গাভৰুবে তাত বহি দিন চুপৰত প্ৰেমৰ গান গাই থাকোতে সাপ এটা দেখি চিঞৰি উঠিল, আৰু ক'ত সেই ভেকা লবাটো একেলবেই গৈ সাপটো মাৰিলে ? মানিছো বাৰু, মাৰিলেই, এনেকুৱা ছোৱালীও ক'বৰাত আছেনে সাপটো মৰা মাত্ৰকে তাৰ হাতত ধৰি "প্ৰাণেশ্বৰ ! 'মই তোমাক ভালপাওঁ' বুলি কোৱা ?" অসম্ভৱ, কেৱল জুৱাচুৰি, ভণ্ডুৱা সাধু। আলমাৰিত যত মাহেকীয়া আলোচনী আছে এখন এখনকৈ ফালি বাহিবলৈ দলিয়াই পেলাইছোঁ।

বিনয় সোমাই মোৰ কাণ্ড দেখি অবাক হৈ সুধিলে, "কিহে বেমাৰ হৈ মগজ গৰম হল নেকি ? যদি কাগজবোৰব এনে অৱস্থাই কৰিবব মন আছিল, তাক বছবে বছবে টকা খবচ কবি কিনা কিয় ?"

"নকবা দেও, আগেয়ে ভাবিছিলো লিখাকলে স'চা কথাৰ ওপৰত বং ছটিয়াই তাক ধুনীয়া কবি তোলে,যেনেকৈ কুমাবে খেৰৰ জুমুঘিত মাটি আৰু বং সানি প্ৰতিমা সাজে। এতিয়া দেখিছোঁ এই জাকব কাম নাই বন নাই সেই একে

স্বরতে একেবাল কথাকে চেপি চেপি পাওলি থাকিব। ইপিনে এজাকে অমুকটো এনে ভাল ছৈছে, তমুক লিখকে এনে ভাল ভাল গল্প লেখিছে ইত্যাদি নানা বিশেষণ প্রয়োগ কবি শলাগি যাব। শুনা বাক কি লেখিছে।" এই বুলি বিনয়ক সাধুটো পঢ়ি শুনালো।

বিনয়ে হাঁহি হাঁহি কলে "কলিকতাত একো অসম্ভব নহয়। সকলো সম্ভব।"

"হেবা, তুমি গছত গক উঠা হোলোঙ্গাবে কাণ বিদ্ধা কথা বিশ্বাস কবানে? এই একুবি পাঁচ ছবছব হলহি, কলিকতাত বহুত দিন থাকিলো, এদিনো ক'তো কোনো ৰূপহীক সেইদবে গান গাই থকা নেদেখিলোঁও শুশুনিলোঁও, আমাব ইয়াত তো কথাই নাই।"

"তেন্তে এবাব আমাব ইয়াতে আবেলি গধূলি সুধি চাকি চোবাচোন ক'বৰাত বিচাবি পোৱানে?" এই বুলি কৈ বিনয় ওচি গল।

সেই দিনাব পবাই দিনক বাতি কবি বিচাবি চলাব কবিলো কিন্তু কতো এদিনো কুঞ্জিত কেশিনী নিকপমা-বেশিনী মনোহাবিণীক লগ নেপালো। অন্তত থিবাং কবিলো নিশ্চয় এই লিখাক জাকে কাগজব সম্পাদকব পবা বকচিং থাই সম্পাদকব চিগাবেট জুইশলাব খোবাক যোগায়। তেতিয়াব পবা মাহেকীয়া কাগজ-পত্র একো লোৱা নাই। সম্পাদকসকলে অনেক সাধ্য-সাধনা কবিও লোৱাব নোৱাবিলে শেষত হাব মানিবলৈ বাধ্য হল।

(২)

সেইবাব পূজাব ছুটী। বহুত দিন ঘবব কোনো খবব বাতবি পোৱা নাই। কাছাবি বন্ধ হোৱাব দিনাই ঘব বুলি যাত্রা কবিলো। মোব নিয়ম আছিল সদায় তৃতীয় শ্রেণীত যোৱাটো, কিন্তু এইবাব যাত্রীব ভিব দেখি মধ্যম শ্রেণীব এখন টিকিট লৈ উঠিলো।

ষ্টেচনে ষ্টেচনে অলপ পব বৈ বৈ বেলখন আহি তিনচুকীয়াত বল। তাতে বেল বদলাই উঠিব লাগে। দেখিলো মহৎ কাণ্ড! মানুহব ভিবত কেনিও ওলাবব সাধ্য নাই। এখন ডাঙৰ ফলিত লিখা আছে "জেপব সাবধান লবা"—"Beware of Pick pocketers।"

কোটব জেপত হাত চুখন ভবাই গাবে ছটা এটাক ঠেলি মানুহব মাজ সোমালো। কোনোবকমে মবিমুজি মানুহব মাজব পবা ওলাই উশাহটো অলপ সলাই নিলগব পবা বৈ মানুহবিলাকব অলপ বেহকণ চাইছো।

বেল এবিবলৈ এতিয়াও ১॥ ঘণ্টা বাকী। ওচবে এখন চাহপানীব দোকানত এটোপামান চাহপানী খাই লওঁ বুলি দোকান এখনত সোমালো। লাভব আশা দেখি দোকানীটোবে আদব কবি চকী এখনত বহবাই এপিয়লা চাহ আৰু চটামান 'ছিংবা' আগবঢ়াই দিলে। এচোব দোচোকৈকে খাই পিয়ণাটো শেষ কবি দোকানীক নগদ চাবি অনা ন পাই দি অঁতাইছোঁ, এনেতে গম পালো পাছব ফালব পবা যেন কোনোবাই কোটটো টানিছে। সি যি নহক, মানুহব আগত এজনী ১৫।১৬ বছবীয়া ছোৱালীয়ে এনেকৈ টনা-আজোৱা কবা দেখি কলো— "হেবা! কি হল তোমাব? বোধকবো মোক তোমাব কোনোবা আপোন মানুহ বুলি ভাবিছিলা।"

ছোৱালীজনীয়ে লাহেকৈ কলে, "নহয়, আপোনাক এজন সদাশয় লোক বুলি অনুমান কবি হে মাতিলো।"

"ও সেইটো বাক বুজিছোঁ, মাতিছিলা কিয়?"

আগতকৈ মাতটো আৰু কোমলাই তাই কলে "মোব ঘব বিপদ, আপোনাব সহায় পাম বুলি আহিলো। ইয়াত মোব চিনাকি মানুহ কোনো নাই।"

চকুব আগত তাহানিব সেই লিখকব "জীৱনব বাটব" উৰ্ব্বশীসদৃশ কপহীব ছবি নাচিবলৈ ধবিলে। তাইক অলপ নিলগলৈ মাতি আনি সুধিলো "আইটী! তোমাব কি বিপদ হল, তোমাব ঘব ক'ত, লগত আৰু কোনো অহা নাইনে কি?"

"এবা, সেইবেবিহে আপোনাব অনুগ্রহ বিচাবি আহিলো। মই ডিব্রুগড় স্কুলত শিক্ষয়িত্রীব কাম কবো। মোব ঘব যোবহাটত।"

আচবিত হৈ সুধিলো "যোবহাটত তোমাব ঘব নে? মোবো ঘব তাতে। ক'তা, তোমাক কেতিয়াও ক'বৰাত দেখিছোঁ বুলি মনত নপবে?"

"কেনেকৈ দেখিব? মোব আচল ঘব শিৰসাগবত,

সকতে আই-বোপাই চুকাল। যোবহাটব তিনি মাইল মান দূবৈত পেহীদেউ এগবাকী পবিছে; তেওঁব লগতে ভালেদিন আছিলো, এতিয়া ডিব্রুগড়ত মোমাইদেউব ঘবত থাকি কাম কবিছোঁ।" এই বুলি ছোৱালীটী তলমুব কবি বল।

ভাবিলো হব পাবে, গাৰ্ত্ত ক'ত কিমান কোন আছে সকলোকে জানো চিনি পাওঁ? দুটাই কলো "ভালেই হল তেনে, লগে-ভাগে যাব পাবিম। পিছে তোমাব বিপদব কথা নকলা দেখোন?"

তাই লাহে লাহে কলে "এবা, কলে জানোচা আপুনি অসন্তোষ কবে।"

মনলৈ আহিল "জীৱনব বাট"ব নায়ক মই, প্রফুল্ল আৰু এই ছোৱালীটী কপহী উষা, মনত অহা মাত্রকে লিখকে কোৱাব দবে কলো "অসন্তোষ, কিহব অসন্তোষ কবিম? যদি কিবা কষ্ট হৈছে কোৱা, পাবো যদি যি হয় সহায় কবিম।"

"দুখব কথা কিনো কম, আজি ডিব্রুগড়ব পবা আহোতে বেগ এটাত বহুতো কাপোৰকানি আৰু কুৰি টকা ৰূপ ভবাই আনিছিলো। বেল ইয়াত বলহি। এটা কুলীব মুবত বাকছটো দি বেলব পবা নামি মানুহব ৰাজ পালোহি, কুলীটো মানুহব মাজেদি গোঁ-গোঁ কবে বেগটো লৈ গুচি গল। তিবোতা মানুহ, খেদি ধবো কেনেকৈ? ষ্টেচন মাষ্টবক খবব দিলো। তেওঁ অনেক বিচাবিও নেপালে। এতিয়া মোব টিকট কিনিবলৈ পইচা নাই। আপুনি যদি দয়া কবি যোবহাটলৈ এটা টিকট দিয়ে, ঘবত গৈ আপোনাব পইছা আপোনাক মুবাই দিব পাবিম।"

ঘব দুখ লাগিল। কোম্পানীব বাজত্বতে দুর্ব্বলা অৱলাব ওপবত ইমান অত্যাচাব, স্বৰাজ হলে চবাচবিহে হব নেকি? অনেক ভাবি-চিন্তি শেষত কলো "বাক আইটী! তুমি ভয় কবিব নেলাগে। তুমি যেয়ে হোৱা, তথাপি আমাব ওচবব মানুহ, বিপদত পবিলে ওচব-চুবুবীয়াক সহায় কবিব লাগে। ভয় কবিব নেলাগে, তোমাব সকলো খবচ মই দিম। মোক আকৌ মুবাই দিব নালাগে।"

"নহয়, তেনে কথা নকব; বিপদত আপুনি মোক সহায় কবিছে, টকা-পইছা তো এনেয়ে নাহে? আপোনাব দুখব ধন মুবাই নিদিলে বেয়া দেখাব।" তাইব এই বিলাক কথাত বিশ্বাস জন্মিল। কলো—"আইটী! তুমি বহা, ভয় কবিব নেলাগে। যি হবব হল, এতিয়া বেজাৰ কবিলে কি হব? আগতে সাৱধান হৈ থাকিলে পিছত মবম নাই।" তাইয়ো মোব কথাত আশ্বাস পাই চাহব দোকানতে বহি এপিয়লা চাহ আৰু কিবাকিবি খালে। দোকানীয়ে ছিচাপ দি নগদ বাব অনা পইছা লৈহে এবিলে।

ঘটং-ঘটং কবে ঘণ্টা বাজিল। টিকট বাবুব পবা চুখন মধ্যম শ্রেণীব টিকট আনি এখন ছোৱালীটীক দি কলো—"যোৱা আইটী—বেলত উঠা, ময়ো সৌখন গাড়ীত উঠোঁগৈ। কিবা অসুবিধা আৰু দৰ্ব্বাব পবিলে পিছব ষ্টেছনত কবা।" তাইক তুলি দি মই নিজে গাড়ীত উঠি বহিলো। বেল এবি দিলে। আচুবক বিপদত উদ্ধাব কবিবলৈ পাই মনটোত বব আনন্দ লাগিল। ভাবিলো আজি মোব বব সৌভাগ্য।

(৩)

বেল আহি মবিয়নিত বল। বেলব পবা নামি নিজে গৈ সেই সহায়হীনা ছোৱালীটীক নমাই যোবহাটব গাড়ীত তুলি দি নিজব বিছনাপত্র লৈ এখন গাড়ী দখল কবি বহিলো। বেলত মোব অনেক চিনাকি বন্ধু পালো। সকলোবে সেই ছোৱালীটীব কথা সুধিলে। ময়ো যি জানো, সকলো বৃত্তান্ত কলোঁ।

তেতিয়া যোবহাট বেলব অৱস্থা অতি শোচনীয় বুলি কলেও বঢ়াই কোৱা নহয়। কোনোমতে ঘাটবমটব কবি বাতি এটামান বজাত যোবহাট পালোহি, ঘবব পবা মোক নিবলৈ মটব আহি বৈ আছে। মালবস্ত্ৰ সকলো খিনি ড্রাইভাবটোক গতাই দি বহুত পবলৈ ইফাল সিফাল কবি সেই সহযাত্রী ছোৱালীটীক নামি নহা দেখি বিচাবি লৈ তাইক বেলতে বহি উচুপি কান্দি থকা দেখি সুধিলোঁ, "কি হল তোমাব, কান্দিছা কিয়? কিবা অসুবিধা পাইছিলা নেকি?"

মোৰ কথা শুনি তাই অলপ সাহ পাই কলে "আপুনি থকাত মোৰ কি অসুবিধা হব পাৰে? আজি আপোনাক লগ নোপোৱা হলে মোৰ কি দশা হল হেতেন!" এই বুলি তাই আকৌ কান্দিবলৈ ধৰিলে।

বহুত বুজনি দি সুধিলো "আইটী! নাকান্দিবা; হৈ যোৱা কথা পাহৰি যোৱা, এতিয়া কি হৈছে?"

"হব আৰু কি? দিনতে মই অহাৰ কথা আছিল, বোধ হয় ঘৰৰ পৰা মানুহ আহি উভতি গল। এতিয়া এই তিনি চাৰিমাইল বাট নো যাওঁ কাৰ লগত? ইমান দূৰ খোজ কাঢ়িও যাব নোৱাৰোঁ।" এই বুলি তাই মোৰ চকুৰ ফালে চাই বল।

বেলৰ উকি পৰিল, গাড়ী এবেহে। লৰালৰিকৈ ছোৱালীজনীক কলো "আইটী! সেইবোৰ পিছত ভাবিবা। এতিয়া নামা।"

বেলখন লাহে লাহে এবিছে। কোনোমতে হাতত ধৰি তাইক নমাই আনি সুধিলো "তোমাৰ নাম কি? আইটী আইটী কৰি কিমান মাতিম?"

"মোৰ নাম নে?" এই বুলি অলপ বৈ লাজকুৰীয়া ভাবেৰে তলমুৰ কৰি কলে—"মোৰ নাম মায়া। ঘৰত মা বুলি মাতে। জাতত আমালোক কলিতা মানুহ।"

ড্ৰাইভাৰটোৱে মোক নহা দেখি বিচাৰি আছিছে। দূৰৈতে তাক দেখি মায়াক কলো—"মায়া! আজি আৰু ইমান বাতি ঘৰলৈ যাব নেলাগে। ওচৰতে আমাৰ ঘৰ, তাতে বাতিটো পৰি থাকি কালিলৈকে দিনেপোহৰে ঘৰত গৈ অহাৰ বন্দোবস্ত কৰিম।"

"যি ভাল দেখে তাকে কৰক, কিন্তু মনত ৰাখিব তিকতাৰ সজ নাম আনকি গছপাতেও নসহে।" ভাবিলো দেহি শিক্ষা পোৱা ছোৱালী, কেনে উচ্চ ভাৱৰ কথা কৈছে! সাধাৰণ গাঁৱলীয়া ছোৱালীৰ মুখত এনে কথা ওলায় জানো?

যিমান ভাবিলো সিমান মনত আনন্দ লাগিল।

মই নিমাতে থকা দেখি মায়াই কলে "বোধ কৰোঁ মোৰ কথাত আপুনি বেজাৰ পালে; ক্ষমা কৰিব। অনেকে পঢ়ি শিকে আৰু অনেকে ঠেকি শিকে। মহা বিপদত ৰক্ষা কৰিছে, কি দি আপোনাক কৃতজ্ঞতা জনাম। আজি মোৰ হৃদয়ৰ সৰ্ব্বস্ব আপোনাৰ চৰণত অৰ্পণ কৰিছোঁ।" এই বুলি তাই মোৰ পাছ ললে। বাতি দুটামান বজাত ঘৰ পালোঁগৈ। মায়াক ভিতৰৰ মোৰ বিছনাখনকে এৰি দি মই বাহিৰত পৰি থাকি বাতিটো কটালো।

আজি তিনিদিন পাৰ হল, তথাপি মায়াৰ ঘৰলৈ যাবৰ ধৰণ নাই। কথাটো ৰব ভাল হোৱা নাই, বৌটীও ঘৰত নাই—জোঁৱায়েকৰ ঘৰত গৈ এমাহমান আছে। তিৰোতা মানুহ বুলিবলৈ ঘৰত আন কোনো নাই, এনে অৱস্থাত মায়াক যদি আৰু কিছুদিন ইয়াত ৰাখো, মানুহে মোক কি বুলিব। কিন্তু বিদায় দিবলৈ মন যোৱা নাই। বিদায়ৰ কথা মনত পৰিলে হৃদয়ত কিয় আঘাত লাগিব খোজে? মই মায়াক ভালপাওঁ নেকি? তাইৰ সুন্দৰ মুখখনি কিয় ঘনে ঘনে মনত পৰি থাকে? ওচৰৰপৰা উঠি গলে কিয় মোৰ চকু জোৰ তাইক পাছে পাছে ঘুৰি ফুৰে? কোনে এই প্ৰশ্নৰ সমিধান দিব? নহয়, তাইক কাইলৈকে পঠিয়াই দিম। যদি এই বিদায়ত হৃদয় চুবলাৰ হৈ যায় তাকো সহ্য কৰিম।

গধূলি ভাত খাই বিছনাখনতে এনেয়ে চকু মুদি অনেক কথা ভাবিচিন্তি পৰি আছো। সৰু বটা এটাত কেখনমান খুৰিওৱা তামোল লৈ মায়াই সোমাই আহি কলে—"টোপনি গল নেকি? তামোল নেখায় জানো? মই এই কিমি ইয়াত থকা দেখি আপুনি মনত অসন্তোষ কৰিছে—নহয় জানো?"

কি মধুৰ স্বৰ! কি লাৱণ্যময়ী দেহভঙ্গী! কেনে মনোহৰ চকুযুৰি! মুক্তনেত্ৰে মায়ালৈ একেথৰে চাই ৰলো। চাৰি চকুৰ মিলন হল। মায়াই তলমুৰ কৰি সুধিলে, "কি চাইছে আপুনি?"

দীঘল হুমুনিয়া এটা কাঢ়ি কলো "কি চাম মায়া! ভাবিছো এই সুন্দৰ বস্তু কাৰ ভাগ্যত আছে!"

হাঁহি হাঁহি মায়াই কলে "কি কৈছে? কাৰ কথা কৈছে?"

"তোমাৰ মায়া—তোমাৰ কথাকে কৈছো। এটা কথা মায়া! তুমি কাইলৈ যাম বুলি কৈছিলা, কিন্তু কব নোৱাৰো কিয় তোমাক বিদায় দিবলৈ মন অস্থিৰ হৈ উঠে। তুমি যেন মোৰ কোন কাহানিৰ বৰ আপোন জন।"

কিছুপৰ টকা মাৰি মায়াই সুধিলে "আপুনি বিয়া নকৰায় কিয়?"

"সি অনেক কথা। মাত্ৰ জানি থোৱা মই বিবাহিত। মোৰ স্ত্ৰী বৰ্ত্তমান।" এই বুলি আনফালে চাই ৰলোঁ।

"আপোনাৰ স্ত্ৰী বৰ্ত্তমানো জীয়াই আছে? অসম্ভৱ—মিছা কথা। যদি জীয়ায়ে আছে তেন্তে আপুনি অকলশৰে কিয়? কেবাদিনো আপোনাৰ ইয়াত কটালো, আপোনাৰ পৰিবাৰ থকা হলে চিনা-জনা হৈ যাব পৰা গলহেতেন। তেখেতৰ বয়স কিমান? দেখিবলৈ মোৰে নিচিনানে? কেতিয়া আছিল?"

ভুইত থিউ ঢুলাদি মোৰ যেন অন্তৰৰ তাহানিবপৰা জমি থকা ভুইকুৰাত কোনোবাই থিউহে ঢালি দিলে, মনত পৰিল সেই পাঁচ বছৰৰ আগৰ কথা। কত হেঁপাহ, কত হাবিয়াস কৰি বিয়া কৰাইছিলো। সামান্য এটা কথাত লাগি হোমৰ ওৰিতে দুই বিয়েয়েকৰ মনান্তৰ হয়। তাৰ ফলতে কনীয়াক এৰি সকলোটি গুচি আহিল। তাতে সকলো সম্পৰ্ক শেষ। ছোৱালীৰ বাপেকে অনেক সাধ্য-সাধনা কৰিও পিতাদেউৰ মত লবাব নোৱাৰিলে। কিছুদিনৰ পিছত পিতাদেউ ভৱলীলা সম্বৰণ কৰিলে। বৌটীয়ে কত ঠাইত বিয়াৰ যোগাৰ কৰিছিল, কিন্তু মোৰ আৰু সংসাৰ পাতিবৰ ইচ্ছা নগল। এবাবতে বিহ লগাদি লাগিল, অগত্যা বৌটীয়েও সেই আশা এৰি দিলে।"

মায়াই আকৌ কলে "কি কব নোৱাৰে? ভাল কথা, মই ধন পাতি মঙ্গল চাব জানো। ৰব, ধান চটামান বিচাৰি আনো।"

মায়া ধান বিচাৰি গল। তাইৰ লৰালৰি ধেমালি দেখি হাঁহি উঠিল। ভাবিলো—তাই বোধ হয় ভাবিছে মই তাইৰ লগত ধেমালিহে কৰিছো। অন্তৰোৱ যি নহক ছোৱালীটী ভাল। দুদিনতে পৰক আপোন কৰি লব পৰা শক্তি আছে। এই তিনদিনতে ঘৰৰ চাকৰবাকৰ সকলোকে ওপৰত তাই হুকুম চলাব পৰাও হল। সকলোৱে তাইক মান কৰে। ভাল ছোৱালীটী।

হাতত ধান লৈ সোমাই আহি তাই কলে "মই আপোনাৰ পৰিবাৰ কাহানি আছে তাকে চাই কম। যদি মঙ্গল ফলিয়ায় তেন্তে পিছে-পৰেও আন আনবিগাক চোৱাবলৈ মাতি আনিব।"

হাঁহি হাঁহি কলো "যদিহে মিছা হয়?"

"যদি মিছা হয় যি শাস্তি দিয়ে মূৰ পাতি লম আৰু যদিহে সঁচা হয় মোক কি দিব?"

"মায়া! কি দিলে তুমি ভাল পাবা? কি আছে মোৰ? তোমাক অদেয় একো নাই।"

"বাৰু সেইটো পিছে-পৰেও হব।" এই বুলি কেটামান ধান মাটিত পুতি কেটামান তাৰ ওপৰত ছটিয়াই দি কলে, "ৰব, মঙ্গল ধৰিছে—আপোনাৰ পৰিবাৰ আজিহেই আহিব লাগে; আহিব নহয়—আহিলেই। আপুনি বহক; মই আগবঢ়াই আনোগৈ।" তাই উঠি যাব খুজিলে।

হাতত ধৰি আকৌ বহৱাই কম্পিতস্বৰে সুধিলো "মায়া! কেনেকৈ জানিলা?"

"কেনেকৈ জানিম আকৌ—মঙ্গলে ধৰিছে। মোৰ মঙ্গল ফলিয়ালে, এতিয়া বকচিচ।" এই বুলি তাই হাত পাতিলে।

হাতৰ আঙুঠিটো নোগোকাই লৈ কলো "আহা মায়া! আজি মোৰ এই জীৱন-মৰণৰ সন্ধিক্ষেত্ৰত নিজহস্তে পিন্ধাই দিওঁ। মঙ্গল ফলিয়াওক বা নফলিয়াওক তোমাৰ প্ৰাপ্য আজি নিজৰ হাতে তোমাক দি যাওঁ।" এই বুলি তাইৰ হাতখনি চপাই আনি আঙুলিত আঙুঠিটো পিন্ধাই দি আকৌ কলো, "মায়া! কাইলৈ পুৱা দেখা হয় কি নহয় কোনে জানে! সেই দেখি এতিয়াই বিদায় লৈছোঁ।"

"বাৰু কাইলৈকো বিদায় দিয়াদিহি হব। এতিয়া তেখেতক মই সজাই-পৰাই পঠিয়াই দিওঁগৈ। আগেয়ে আপুনি আপোনাৰ পৰিবাৰক এদিনো দেখা নাই বুলি কৈছে, চিনোতে ভুল নকৰিব।" এই বুলি মায়া ওলাই গল।

কুৰি মিনিটমান পাৰ হল। এনেতে মৃদুত ওৰণি লৈ মোৰ সেই তাহানিৰ বনবাসী স্ত্ৰী আহি বহি থকাতে ভবিত ধৰি সেৱা কৰিলে। ভবিষ্যৎ আঁতৰাই আনি গণ্ডীৰভাৱে

কলো—"বধা, আগেয়ে মোৰ কথা শুনি লোৱা। এই ধৰত তোমাৰ স্থান দেৱতাৰ নে নাইবা কোনো মানুহৰ কৃপাত হৈছে কৰ নোৱাৰো। কিন্তু মই পাপী, মই তোমাৰ অনুপযুক্ত, মোক ক্ষমা কৰিবা।" হঠাৎ মুখৰ ওৰণিখন অলপ খহি গ'ল। চাই দেখো মায়া। আচবিত হৈ সুধিলো, "এইবোৰ আকৌ কি পাতিছা মায়া?"

"ক্ষমা কৰিব, অতদিন আপোনাক চিনাকি দিয়া নাছিলো, ময়ে আপোনাৰ বনবাসী জী মায়া। অনেক অপৰাধ কৰিছো, ক্ষমা কৰি যেন চৰণত স্থান দিয়ে।" এই বুলি মায়া আকৌ ভবিত পৰিল।

. বাহিৰত বিনয়ে কলে "কি হে—তাহানিৰ আলোচনীৰ "জীয়ৰনৰ বাট" তোমাৰ গাতে ফলিয়ালে দেখোন। লাজৰ ভিতৰত পুঞ্জাত এটা ভাল গল্পৰ "প্লট" ওলাইছে।"

ভিতৰত বৌটীয়ে কৈছে "বিয়ে যি হবৰ হল; সকলো কথা এবি পেলাওক।"

মায়াই আকৌ কলে "কওক, ক্ষমা কৰিছেনে?" উচ্ছ্বসিত আবেগত মায়াক সাৱটি ধৰিলো। তাৰো মোৰ বুকুত মুৰটি সুধাই ক্ষণেক আত্মবিস্মৃত হৈ বল।

পৰশুকুণ্ড দৰ্শন

—শ্ৰীযুত চন্দ্ৰকান্ত শৰ্ম্মা

ৰবিদিনৰ বন্ধৰ কিছু আগতে বছটো কেনেকৈ উপভোগ কৰা যাব এই বিষয়ে আমাৰ মেডিকেল স্কুল হোষ্টেলত কথা-বতৰা হওঁতে কেজনমানে বাইচিকেলেৰে পৰশুকুণ্ড চাবলৈ ওলাল। তাকে দেখি দুই চাৰিজনকৈ ওলাওঁতে ওলাওঁতে দলটো বাঢ়ি গৈ ২০ জনত পৰিল।

যোৱাৰ ঠিকঠাক। এইবাৰ পাল পৰিল অনুমতি লোৱাৰ। জয়ে জয়ে হোষ্টেল চুপাৰিনটেণ্ডেণ্টৰ কাষ চপা হয়। হোষ্টেল চুপাৰিনটেণ্ডেণ্ট শ্ৰীযুত ৰবীন্দ্ৰমোহন দেৱ বাবুৱে মহা উৎসাহ দি স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট চাহাব মেজৰ এলেনৰ ওচৰলৈ পঠাই দিয়ে আৰু নিজেই চাহাবক অনুমতি দিবৰ কাৰণে কয়গৈ। কথাটো শুনি চাহাবে বং পালে আৰু সকলো প্ৰকাৰে উদগণি দি হাস্পতালৰ পৰাই দৰকাৰ হব পৰা সকলো ঔষধ-পত্ৰ বেণ্ডেজ আদি লাগতিয়াল বস্তু দিবৰ দিহা কৰি দিলে। লগতে সদিয়াৰ পলিটিকেল অফিচাৰলৈ এখন চিঠি দিলে যাতে তেখেতে লবাইতক পৰশুৰাম কুণ্ডলৈ যাবলৈ অনুমতি দিয়ে। কিয়নো পৰশুকুণ্ড পলিটিকেল অফিচাৰৰ তলত আৰু তাৰিলে গলে তেখেতৰ পৰা সদিয়াত এখন পাছ লব লাগে।

তাৰ পাছত সাজসজ্জাৰ যি ধুমধাম পৰি গল! কোনো গৈছে বাইচিকেল বিচাৰি, কোনো গল বজাৰলৈ, কোনোৱে হয় তো ধোৱাৰ ঘৰৰ পবাই তিনি চাৰি বাৰ আহিল গৈ। ২৩ ডিচেম্বৰ তাৰিখে আবেলি সকলো ঠিকঠাক। বাইচিকেলবোৰ আনি খুলিমেলি তাত যদি কাৰবাত খুঁত অকণ আছিল তাকো শুধবাই লৈ কাপোৰকানি আদি দৰকাৰী বস্তুবোৰ বান্ধিকুন্ধি সকলো প্ৰস্তুত কৰা হল।

২৪ ডিচেম্বৰ বাতিপুৱা বেলি ওলাওঁতে নৌ-ওলাওঁতেই যাত্ৰা আৰম্ভ কৰা হয়। যাত্ৰাৰ সময়ত দৃশ্যটি কি মনোৰম হৈছিল! হোষ্টেল চুপাৰিনটেণ্ডেণ্টৰ উদগণি, হোষ্টেলবাসীৰ 'আগবাঢ়া আগবাঢ়া' ৰব আৰু হাতচাপৰিৰ মাজেদি যেতিয়া শ্ৰীযুত কন্দৰ্পেশ্বৰ গোস্বামী আৰু শ্ৰীযুত বতিকান্ত পাটৰ নেতৃত্বত ইজনৰ পাছত সিজন এইদৰে কুৰিজন লবাই একে বেশ একে সজ্জাৰে ইটৰ পাছত সিটি বাইচিকেলেৰে আগবাঢ়ি গৈছিল সি এটা উপভোগৰ দৃশ্য

হৈ পৰিছিল। আটাইতকৈ চাবলগীয়া হৈছিল প্ৰত্যেক লবাৰ উৎসাহেৰে ভৰা হৃদয়, উচ্ছল চকু আৰু আনন্দময় মুখ।

অলপ পিছতে বেলি উঠিল। বাইচিকেলবোৰ চিকমিকাব ধৰিলে। আধামাইল জুৰি যোৱা ভ্ৰমণকাৰীৰ শাৰীটো দেখি বাটৰ মানুহবোৰে বৈ বৈ চাব ধৰিলে,



ছইলাবসকল

এই চিপাহীৰ বেশ পিন্ধা লবাবোৰ যায় কলৈ। কিয়নো তেওঁলোকৰ মুবত আছিল টুপী গাত কোট আৰু পেণ্ট, ভৰিত ছোতা আৰু মোজা।

দীঘলীয়া দীঘলীয়া বাস্তাবোৰৰ কেউকাষে পৰি থকা পকাধানৰ পথাববোৰ, বাঁহেৰে বেঢ়ি থকা আতবত দেখা গাওঁবিলাক, মুকলি বাকবিত চৰি থকা গৰুবোৰ সকলোবোৰেই যেন কাণে কাণে কৈ আছিল, 'অসমীয়া অসমীয়া'।

ডিব্ৰুগড়ৰ পবা গৈ তিনিচুকীয়াত নমা হয়। ইয়াতে চাহ আৰু কটাৰে জলপান খাই আকৌ আগবঢ়া হয়। ডিব্ৰুগড়ৰ পবা তিনিচুকীয়াটৈ যি হে বাস্তা, বোধ হয় যেন সমস্ত পৃথিবীৰ ধূলি ইয়াতে জমা হৈ আছেহি। ধূলিত বাইচিকেল চলোৱা কি কষ্ট! বাইচিকেলে টানে এপিনে, ধূলিয়ে ঠেলে এপিনে। ডিব্ৰুগড়ৰ পবা গৈ প্ৰথমেই নমা হয় তিনিচুকীয়াত। তিনিচুকীয়া ডিব্ৰু-সদিয়া আৰু আসাম-বেঙ্গল বেলত্তৰ জংশ্চন।

তিনিচুকীয়াত চাহ আৰু কটাৰে জলপানৰ কাম সমাধা কৰি আকৌ আগবঢ়া হয়। বাটতে মাকুম নামেৰে ডিব্ৰুসদিয়াৰ বেলষ্টেচন এটাত চাহ খাই হৈথোৱা পাওঁতে আবেলি ৩-২০ মিনিট হয়।

হৈথোৱা ডিব্ৰু-সদিয়া লাইনৰ সীমান্ত ষ্টেচন। ই ব্ৰহ্মপুত্ৰৰ পাৰতে ডিব্ৰুগড়ৰ পবা ৬০ মাইল দূবৈত। ইয়াত এখন ডাক্তৰখানা আছে। হৈথোৱা সীমান্ত জিলাৰ ভিতৰত।

হৈথোৱাত ডাক্তৰ বিনয়কুমাৰ পুৰকায়স্থ বাবুৱে সাদৰেৰে আমাৰ দলটোক মাতি নি থোৱা থকাৰ সকলো সুবিধা কৰি দিলে। এইখিনিতেই তেখেতৰ শৰাগত লৈ থওঁ। বাতিটো তেখেতৰ ঘৰতেই থকা হয়।

২৫ তাৰিখে বাতিপুৱা ৮টা বজাত হৈথোৱাৰ পবা আকৌ আগবঢ়া হল। পাৰঘাটলৈ বালিয়ে বালিয়ে যাব লাগে দুমাইল। সেই বালিত বাইচিকেলত উঠে কাৰ সাধ্য! নামি বাইচিকেল টানি নিওঁতেই হাবাশাস্তি কৰি পেলালে।

বাইচিকেল টানি যি অৱসাদ আহিছিল ঘাট পাই সি অপসাবিত হল। মহান ব্ৰহ্মপুত্ৰক ভিতৰি ভিতৰি প্ৰত্যেকেই প্ৰণাম জনালে। নাৱেৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ আকৌ বাইচিকেলেৰে সদিয়ালৈ বওনা কৰা হয়। সদিয়া



ছইলাবসকলে নৈ পাৰ হৈছে

পাওঁতে দহোটা বাজে। সদিয়া ব্ৰহ্মপুত্ৰৰ ঘাটবপৰা পাঁচ মাইল। সদিয়া উত্তৰ-পুৱ সীমান্ত জিলাৰ সদৰ ঠাই। বিদেশীৰ আক্ৰমণবপৰা বক্ষা কৰিবলৈ ইয়াত এটা ফৌজ আছে। সদিয়া ইতিহাসপ্ৰসিদ্ধ ঠাই। তাহানিৰ কুণ্ডিল নগৰ ইয়াৰ ওচৰতে।

আমাৰ দলটি সদিয়া পোৱাৰ অলপ পিছতে পলিটিকেল

অফিচাৰৰ পৰা পাছ আনিবলৈ গল। দুই চাৰি আধাৰ উপদেশ দি পলিটিকেল অফিচাৰ চাহাবে পাছ কেথন দিলে। ইয়াত এটা নিয়ম আছে যে পাছ দিবৰ সময়ত গাইপতি॥০ অনাকৈ পইছা দিব লাগে। কিন্তু আমালোকৰ পাছ বিনাপইছাই পোৱা ছেছিল।



ছৈখোৱাৰ ওচৰৰ এটা দৃশ্য

সদিয়াৰ প্ৰায় সকলো ভদ্ৰলোকেই এই ক্ষুদ্ৰ দলটিক উৎসাহ দি অনুপ্ৰাণিত কৰিছিল। ইয়াৰ ভিতৰত শ্ৰীযুত বোহিতাশ শইকীয়া আৰু ৰায়চাহাৰ শ্ৰীযুত দাসৰাম তালুকদাৰৰ নাম উদ্বেকিয়াব লগীয়া।

সদিয়া পাওঁতে শ্ৰীযুত দাসৰাম তালুকদাৰে দলটিক মাতি নি চাহ জলপান খোৱাব দিহা কবি দিলে আৰু উলটি আহোতে তেখেতৰ ঘৰত এসাজ খাই আহিব লাগিব বুলি প্ৰতিশ্ৰুতি লৈহে এবি দিছিল। তেখেতৰ মৰম পাহৰিব নোৱাৰি।

দুইলাবোবে সদিয়াৰ ভদ্ৰলোকসকলৰ মাজত এটা আনন্দৰ ধাৰা বোৱাই দিছিল। আনকি তাৰ শ্ৰীযুত মোহিনী বাবুৱে একেলগে কুণ্ডলৈকে যাবলৈ ওলাল। সদিয়াৰ পৰা কুণ্ডলৈ যাত্ৰা কৰাৰ আগতে তেখেতে কৈছিল—"You are going to see Parasu Kundo but I am going to see you." কথাষাৰ শুনি সকলোবেই ভাল লাগিছিল। পৰশুকুণ্ড মোপোৱালৈকে বাস্তাত তেখেতে যিখিনি সহায় কবিছিল সেইখিনি চালে তেখেত যে সচাকৈয়ে কুণ্ড চাবলৈ যোৱা নাছিল দুইলাবোবেকহে চাবলৈ গৈছিল—এই কথাষাৰ মনত পবে।

আবেলি ওটা বজাত সদিয়াপবা আগবঢ়া হয়। আগেয়ে বাস্তাৰ কেউকাষে দেখা গৈছিল—ঘবেঁসেতে গাওঁবোৰ, ওচবে ওচবে আৰু দুবৈত মানুহ, মুকলি পথাবত গৰু-গাইবোৰ। এইবাৰ সেইবোৰব অন্ত পবিল। এইবাৰ ছয়োপিনে হাবি। দুই এদাল বাঁহ কাঠ থকা হাবি দি নহয়—ডাঙৰ ডাঙৰ গছগছনিবে ভবা গহীন হাবি আৰু ভয় লগা নিস্তব্ধতা।

সদিয়াৰ পৰা কিছুদূৰ গৈ এখন নৈ পায়। এই নৈ খনৰ নাম কুণ্ডিল। কুণ্ডিল নৈ নাম্লেবে পাৰ হৈ আকৌ আগুৱাই যোৱা হয়। বাটতে সোণপুৰা নামেৰে ঠাই এডোখৰ এবি পায়া পাওঁতে সন্ধিয়া হওঁ হওঁ। পায়া সদিয়াৰ পৰা ২৩ মাইল।

পায়াত পানীছনি খাই তেজুলৈ ওলাবৰ সময়ত সন্ধিয়া ভালকৈয়ে ছৈছিল। তেতিয়া আকাশত জোন ওলাইছিল। ভীষণ কুৱলী। জোনৰ পোহৰ থকা স্বত্বেও কুৱলীৰ নিমিত্তে গোটেইখন চকামকা লাগি পবিছিল। মাজতে বাস্তাটো, তাৰ কেউকাষে ভীষণ অৰণ্য। আগ আন্ধাৰ আধা পোহৰৰ কাৰণে ডাঙৰ ডাঙৰ গছবোৰ আতৰৰ পৰা একোটা বিৰাট দৈত্য যেন অনুমান ছৈছিল। কেউপিনে ভীষণ নিস্তব্ধতা। ক'তো অকণো সাৰম্বৰ



টিমাইৰ ওচৰৰ এটা দৃশ্য

শব্দ নাই। গছৰ পাত এটা পবিলেও যেন বহু দুবৈলৈকে শুনা যায়। এটা মানুহ দেখিবলৈ নাই, এয়া মাত শুনিবলৈ নাই। যি হাবিৰ শোভাই দিনত নানান বকমৰ মধুৰ খেলিমেলি ভাব আনি দিছিল এতিয়া সেই হাবিয়ে তেনে ভাব আনি দিব নোৱাৰা হল। সেই হাবিয়ে আনি দিছিল এটা অজাত আশঙ্কা, এটা কাৰণপুৰ ভয়ৰ ভাব। গোটেই হাবিখনে গম্ গম্ কৰি আছিল। কেতিয়াবা কেতিয়াবা বোধ হয় আঁতবত যেন শব্দ হৈছে ক-ক-ক। বুকুখনে ক্ষণেকৰ কাৰণে দুব্ দুব্ কৰি উঠে।



টিমাইৰ ওচৰৰ এটা ছুবি

আমাৰ দলটোৱে আগবাঢ়ি গৈ আছে, গহীন গভীৰ লোকশূন্য অৰণ্যৰ বুকু চিবিং কৰা বাস্তাৰ ওপৰেদি ইটোৱে পাছত সিটো। বাইচিকেলৰ পেডল কৰোতে যি শব্দ হয় তাৰ বাহিৰে কতো অকণো শব্দ নাই। এনেতে শব্দ হল মৰ্ মৰ্ মৰ্। লগে লগে আটাইতকৈ আগত থোৱা লখাজনে কৈ উঠিল—Halt, Halt danger—থামাহক, বিপদ। এই বুলি নিজে জাপ মাবি নামি পবিল। পাছত থকা লখা দুজনে প্ৰথমজনক তৎক্ষণাৎ ধবিলেগৈ—কি হল? কি হল? তেওঁ কৈ উঠিল—মোৰ একো হোৱা নাই। সৌটো হাতী, বনবীয়া হাতী।

ইতিমধ্যে এওঁলোকক নমা দেখি সকলো নামি পবিল। সকলোবেই বুকু অকণ অকণ কঁপি উঠিল, কি হল? কি হল? আগলৈ চাই দেখে প্ৰায় ২০ ফুটমান আতৰতে এটা বনবীয়া হাতীয়ে কণমচ এজোপা আৰু ওচৰৰ গছৰ ডাল মৰমৰকৈ ভাঙিব ধবিছে। এতিয়া উপায়? গহীন হাবি, এটা মানুহ দেখিবলৈ নাই, অকণ আশ্ৰয় নাই। হাতত অস্ত্ৰ-শস্ত্ৰ একো নাই। নাই একোৱেই নাই। থকাৰ ভিতৰত দুই এটাৰ ককালত খুকুবি দা আৰু যি আছিল সি প্ৰত্যেক তৎক্ষণ শবীৰৰ খবস্ৰোত তপত কবিব আৰু বুকুৰ অদম্য সাহ।

সকলো স্তব্ধ। সকলোবে মুখ শেঁতা। কিন্তু সি মুহূর্ত্ত মাত্ৰ। অনুমান হল পাছপিনেও যেন এটা হাতী। এতিয়া কোনপিনে যোৱা যায়? তৎক্ষণাৎ কর্ত্তব্য ঠিক হৈ গল। নেতাৰ হুইচেল বাজি উঠিল—অর্থাৎ লগে শুনা গল "Ready to start forward"—আগুৱাই যাবলৈ প্ৰস্তুত হোৱা।

প্ৰত্যেকৰ মুখ কঠোৰ হৈ পবিল। শবীৰৰ প্ৰত্যেক মাংসপেশী ফুলি উঠিল। আকৌ হুইচেল বাজি উঠিল আৰু লগে লগে প্ৰত্যেকেই ধুমুহা বতাহৰ দৰে বাইচিকেল চলাই দিলে—ফেঁ-ফেঁ-ফেঁ।

ছয়োকাষে চাবৰ অবসৰ নাছিল। বাইচিকেল যেন গোটেই শবীৰৰ শক্তিবে চলিছিল। প্ৰত্যেকেই জানিছিল এইমাত্ৰ যে যাব লাগিব, বতাহৰ দৰে আগুৱাই যাব লাগিব।

অলপ পিছতে কিছুদূৰ গৈ আকৌ মৰ্ মৰ্ মৰ্ শব্দ।



মিচিমিবোৰৰ সৈতে জনচেৰেক হুইলাব

হাতী হাতী। এইবাৰ? এইবাৰ প্ৰত্যেকেই কঠোৰ হৈ উঠিছে। একেবাৰে আগত থোৱা লখা কেইগে একেলগে কৈ উঠিল, forward, forward—আগবাঢ়া, আগবাঢ়া!

যেতিয়া তেজু পোৱাগৈ হয় তেতিয়া বাতি নটা। "চাবঙিনেট কোৱাৰ্টাৰৰ" সন্মুখত সকলো নামি পবিল। তাৰ পিছত যি ভাগৰ আৰু ভোক! অনুমান ছৈছিল—পৃথিবীত কাৰো কেতিয়াও ইমান ভোক ইমান ভাগৰ লগা নাই। ঘামত গাৰ কাপোৰ ভিজি গ'ল। তাৰ পিছত অনুসন্ধান চলিল খোৱা বস্তু পোৱা যায় ক'ত? এখন দোকান দেখা গল। তাত খোৱা বস্তুৰ ভিতৰত আছিল

কিছুমান ভেকুৱা চিবা। বয়ছে যিমান পাবে চেনিয়ে সৈতে সেই চিবাকে থালে। যিবোবে কেউপিনে germ, bactena, infection এইবোৰ হে দেখা পায় সেইবোবে যে পুৰণি ভেকুৱা চিবা ইমান আগ্ৰহেৰে খাব পাবে তাক নেদেখিলে অনুমান কৰিব নোৱাৰি।

বাতি থকা হল তেজুব চাৰ্ভডিনেট কোৱাৰ্টাবত। সহযাত্ৰী শ্ৰীযুত মোহিনীবাবুৰে আগবঢ়ুৱা হৈ খিচিৰি খোৱাৰ বন্দবস্ত কৰি দিলে।

পিছদিনা ২৬ তাৰিখে ৰাতিপুৱা চাউল দালি আদি খোৱাৰ সকলো সৰঞ্জাম লৈ ৮টা বজাত পৰশুকুণ্ডলৈ বুলি ৰাওনা কৰা হয়।



দুবৈত টিমাই

তেজু পায়াৰ পৰা ১১ মাইল আৰু সদিয়াৰ পৰা ৩৬ মাইল দুবৈত।

তেজুৰপৰা ৯ মাইল গৈ ব্ৰহ্মপুত্ৰ পাৰ হব লাগে। ব্ৰহ্মপুত্ৰৰ এই অংশটোক টিমাই বোলে, এইখিনিত পৰালি কালি ব্ৰহ্মপুত্ৰ প্ৰায় ১৫০ ফুটমান বহল হয়। টিমাই পাৰ হবৰ কাৰণে নাও আছে। পাৰ হওঁতে গাইপতি ॥০ অনাকৈ পইছা লয়। কিন্তু গভৰ্ণমেণ্টে এই নাৱৰীয়াবোৰৰ পৰা একো নলয়। ইয়াৰ পৰিবৰ্ত্তে টিমাইৰ পৰা পৰশুকুণ্ডলৈ যোৱা বাটেছোৱা ভাগিলে বা নষ্ট হলে ইহঁতে ভাল কৰি দিয়ে। এই নাৱৰীয়াবোৰ মিচিমি।

মিচিমিবোৰ এটা পৰ্ব্বতীয়া জাতি। ইহঁত চুটচাপৰ, হাতভৰিবোৰ লোহোৰা-লোহোৰ। দাঁড়ি গোঁফ অ'ত এদাল ত'ত এদাল—এনে ধৰণৰ। ইহঁতৰ ভিতৰত অংবোধ প্ৰথা নাই।

ইহঁতৰ নিচিনা পৰক অবিশ্বাস কৰা জাতি বোধকৰো আৰু নাই। অচিনাকি মানুহক নিজৰ কোনো কথাকে ভাঙ্গি কব নোখোজে। কোনো অচিনাকী মানুহে কিবা সুধিলে পাৰিতপক্ষে একো নাজানো বুলিয়েই কৈ থয়।

অসমৰ পৰ্ব্বতীয়া জাতিবোৰৰ ভিতৰত বোধকৰো ইহঁতেই আটাইতকৈ দুখীয়া। মিচিমিবোৰৰ ভিতৰত শিক্ষিত নাই বুলিলেও বোধকৰো মিছা কোৱা নহয়।

ইহঁত অঘৰীৰ দৰে। কতো স্থায়ী বসতি নাই। ইহঁতৰ ইয়াত থাকিল সিবছৰ তাৰপৰা আতৰি গৈ আন ঠাইত থাকিল। ঘৰবোৰ জুপুৰা জুপুৰি। চাঙৰ ওপৰত সজা অকণ অকণ একোটা ঘৰ। ঘৰৰ দুৱাৰ কেৰল এখন। সিও আকৌ এখন খিড়িকিৰ সমানহে। তাৰ ভিতৰেদি চাপৰি কোনোমতে ভিতৰ সোমাব পাৰি।

ইহঁতৰ পোহনীয়া জন্তুৰ ভিতৰত মাথোন গৰু, নিজৰ কাপোৰ কানি নিজেই বৈ লয়। তিবোতাবোৰে মেখেলাৰ দৰে প্ৰায় আঠুলৈকে পৰা এডোখৰ কাপোৰ পিন্ধে আৰু মতাবোৰে এডাল লেংটি মাৰে আৰু এই লেংটি দালৰ এডোখৰ আগপিনে ওলমি থাকে।

মিচিমিবোৰে বিবি ছিগাবেট খুব খায়। চুটমান বিবি নাইবা ছিগাবেট পালে ইহঁতে আনন্দতে ডেও পাৰি উঠে। তিবোতাবোৰৰ ধুমপান কৰাত যিহে দৰণ! পাইপৰ দৰে এবিধ যন্ত্ৰ আছে। পাইপটোৰ ঠাৰিদাল প্ৰায় এফুট দীঘল হব। মুখত লগোৱা অংশ তাম্বৰ আৰু বাকীডোখৰ কপৰ। এইবোৰ ইহঁতে নিজে কৰি লয় নতুবা লামাৰ পৰা কিনি আনে।

মিচিমিবোৰে বহুবিবাহ প্ৰথাৰ পক্ষপাতী। ইহঁতৰ ভিতৰত কোন বেছি ডাঙ্গৰ—এই সমস্যাৰ সমধান কৰা হয় কাৰ কিমান তিবোতা আছে তাৰ সংখ্যাবে। যাৰে যিমান তিবোতা আছে, সি সিমান ডাঙ্গৰ মানুহ। ইহঁতৰ বিবাহ বন্ধনো সিমান কঠকীয়া নহয়। স্বামী পছন্দ নহলে তিবোতাবোৰে আগৰ স্বামীক পৰিত্যাগ কৰি তৎক্ষণাৎ নতুন স্বামী ৰণ কৰিব পাৰে।

মিচিমিবোৰে এবিধ পোক বৰ আগ্ৰহেৰে খায়। পোকবোৰ হাবিৰ পৰা ধৰি আনি শুদা কৰাহিত বহাই দি অলপ লৱণফৰ কৰি পানী বহাই দিয়ে আৰু সিজোতে নৌ-সিজোতেই কোচৰ কোচৰ কৰে খাবলৈ আৰম্ভ কৰে।

মিচিমিবোৰে দেও মানে। দেওলৈ ইহঁতৰ ভক্তি দেখিলে আচৰিত মানিব লাগে। এইখিনিতে এটা ঘটনা উল্লেখিয়েই থোৱাটো উচিত হব হবলা। এদিন এটা বাঘে ওই থকাৰ পৰা এটা মিচিমিক টানি লৈ গল। বাকীবোৰে গম পোৱা স্বত্বেও আৰু লগত বন্দুক থকা স্বত্বেও অকণো বাধা নিদিলে। সিহঁতৰ বিশ্বাস যে দেওৰ বাঘৰ মূৰ্ত্তি ধৰি বলি লৈ গলহি। মানুহ এটাক



ডেনিং

বাঘে খালে বুলি জানিব পাৰি এজন চাহাবে সিহঁতৰ ওচৰলৈ আহি এটা বন্দুক খুজিলে আৰু বাঘটো ক'ত লুকাই আছে সেই ঠাইডোখৰ দেখুৱাই দিবলৈ কলে। সিহঁতে বন্দুক তো নিদিলেই আনকি বাঘ থকা ঠাইডোখৰো দেখুৱাই নিদিলে—তেনে কবিলে কিজানি দেওৰ অপবাধ লাগে।

টিমাইৰ পৰা কুণ্ডলৈ চাৰি মাইল। নৈ পাৰ হৈ কুণ্ডলৈকে এই ছোৱা খোজ কাঢ়ি যাব লাগে। কিয়নো বাইচিকেল পাৰ কৰা অসুবিধা আৰু পাৰ কৰিলেও বাইচিকেল নিয়া বৰ অসুবিধা।

বাইচিকেলবোৰ টিমাইৰ মিচিমিবোৰৰ হাতত এৰি দৈ অলপ কাপোৰ কানি আৰু থাবৰ সৰঞ্জাম লৈ যোৱা হয়। কুণ্ড পাওঁতে আবেলি ৩ টা। সদিয়াৰপৰা কুণ্ডলৈ প্ৰায় ৩০ মাইল।

তেজুৰ পৰা পৰশুকুণ্ডলৈ এই বাট ছোৱা খুব ভাল লাগে। এই উঠা এই নমা। তেজুৰ পৰা টিমাইলৈ আহোতে ভবিয়ে এসেকা পাই যায়।

উঠা নমা বাট—ছমা কাষৰ সেউজীয়া হাবি, বমক জমককৈ থকা ফুল, ধুনীয়া লতা—আটাইবোবে মনটো ফৰকাল কৰি দিয়ে। আটাইতকৈ ভাল লাগে যেতিয়া সেই ধুনীয়া হাবিৰ মাজেদি নাম হৈ যোৱা বাস্তাৰে বাইচিকলবোৰ কোঁ-কোঁ কৰে উৰি যোৱাদি যায়। ইয়াৰ গোটেইবোবেই ভদ্ৰ, সকলোবোৰেই নম্ৰ যেন লাগে। আনকি সূর্য্যদেৱো ইয়াত ভদ্ৰ। টিকা ফাটি যোৱা ৰ'দ তেওঁ ইয়াত নিদিয়ে—তিকৃচি বিকৃচি উঠা খং তেওঁ ইয়াত নেদেখুৱায়। ভদ্ৰভাৱে কোমল বন্ধি দি নিৰীহ ভদ্ৰ লোকৰ দৰেই মেলানি মাগে।

পৰশুকুণ্ড এখন তীৰ্থস্থান। ইয়াত স্নান কবিলে হেনো মহা মহা পাতকৰ পৰা উদ্ধাৰ পায়। ভাৰকালি ইয়াত ঢেৰ সন্ন্যাসী গোট খায়হি। মাঘৰ পূৰ্ণিমাত ইয়াত বছৰে বছৰে এখন মেলা বহে।

কুণ্ডটো কেউপিনে ডাঙ্গৰ ডাঙ্গৰ শিলেৰে ঘেৰি থকা।



ফৰ্ক ভগা বাইচিকেল

ই প্ৰায় বুৰণীয়া। ব্যাস প্ৰায় ৭৫ ফুটমান হব। ইয়াৰ পানী দ। পানী ইমান ফটফটীয়া যে তলিলৈকে ভালকৈ

দেখা পায়। এই কুণ্ডটোত ওপৰৰ পৰা এটা সৰু জলপ্ৰপাত পৰিছেহি। কুণ্ডটো ব্ৰহ্মপুত্ৰৰ সৈতে এটা জুবিৰে লগ লগোৱা। ইয়াত ঢেৰ ধৰিয়া মাছ আছে। মাছবোৰ গোটেই ওপৰলৈকে ওলাই আছে।

ইয়াৰ পানী বৰ চেঁচা—এমিনিটমানতকৈ বেছি পৰ পানীত থাকিব নোৱাৰি—বোধ হয় যেন শৰীৰৰ ভিতৰৰ কঠিন বস্তু হাড় সিও গোট মাৰি সৰু হৈ যাব।

সেই সময়ত তাত দুজন সন্ন্যাসী আছিল। তেওঁলোকৰ বাহিৰে কিছুমান মিচিমি আছিল। কিছুমান মিচিমি তাত থাকেই। চলন্তি আছে যে যি কাপোৰ পিন্ধি তাত স্নান কৰা হয় সেই কাপোৰখন তাতে এৰি থৈ আহিব লাগে। এই মিচিমিবোৰে এই কাপোৰ লৈ যায়। আমাৰো প্ৰত্যেকেই স্নান কৰি তিওঁতা কাপোৰ এৰি থৈ আহে।

এই কুণ্ডটোৰ আন এটা নাম ব্ৰহ্মকুণ্ড। প্ৰবাদ আছে যে তাহানি পৰশুৰামে পিতাকৰ আজ্ঞামতে মাকক বধ কৰে। পিছত মাতৃহত্যা পাপৰ কাৰণে হাতৰ পৰা কুঠাৰখন একৰাৰ নোৱৰা হল। পৰশুৰামে এই পাপৰ পৰা মুক্ত হবৰ কাৰণে বহুতো তীৰ্থস্থান ঘুৰি ফুৰিব ধৰিলে। শেহত গৈ এই কুণ্ডত স্নান কৰোতে হাতৰ পৰা কুঠাৰখন সৰি পৰে। তেতিয়াৰ পৰা ব্ৰহ্মকুণ্ডৰ নাম পৰশুৰামৰ নাম অনুসৰি পৰশুকুণ্ড হয়। পৰশুৰামে এই তীৰ্থৰ মাহাত্ম্য দেখি আচৰিত হয় আৰু



ডেনিং আৰু পৰশুকুণ্ডলৈ যোৱা বাট

যাতে মানুহে ইফালে নহাকৈয়ে অকল ব্ৰহ্মপুত্ৰত স্নান কৰিয়েই পৰশু কুণ্ডত স্নান কৰাৰ ফল পাব পাবে তাৰ নিমিত্তে সেই কুঠাৰখননেৰে কুণ্ডৰ পৰা লোৰ কাট ব্ৰহ্মপুত্ৰৰ সৈতে লগ লগাই দিছে। কুণ্ডটো ব্ৰহ্মপুত্ৰৰ সৈতে এতিয়াও এটা সৰু জুবিৰে যেন লগোৱা।



ডুমডুমাৰ দৃশ্য

পৰশুকুণ্ডত এটা ধৰ্মশালা আছে। বাতিটো ইয়াতে কটোৱা হয়। বাতি খিচিৰিৰে আহাৰ কাৰ্য্য সমাধা কৰা হয়।

পাছদিনা বাতিপুৱা অৰ্থাৎ ২৭ তাৰিখে পৰশুকুণ্ড এৰি উলটি অহা হয়। তেজু পাওঁতে আৰেলি ছটা বাজে। তেজুত আহি খবৰ পোৱা হল যে ডেনিঙৰ পৰা ডাক্তৰ শ্ৰীযুত বিনন্দিচন্দ্ৰ শৰ্ম্মাই সকলোটাকে মাতি পঠাইছে। তেখেতে আগেয়ে কেইবছৰমান মেডিকেল স্কুলত anatomyৰ demonstrator হৈ আছিল। গতিকে তেখেতৰ অনুৰোধ এৰাবৰ সাধ্য নহল।

সেইদিন বতৰ ডাৰৰীয়া। সেইদেখি বাটতে বৰষুণ পাব পাবে বুলি তিনিজন তেজুতে বল আৰু বাকী কেজন খোৱা বোৱা কৰাৰ পাছত ডেনিঙলৈ বুলি ওলাল। অলপ দূৰ আহি এজনৰ বাইচিকেল ভাগি যায়। গতিকে তেওঁ উলটি যাব লগা হল। লগতে আৰু এজন দুগা উলটি যাব লগা হল—তেওঁ হৈছে ককণা দত্ত। ককণা দত্ত জানিবা হল এই দলটিৰ ইঞ্জিনিয়াৰ। কাৰ বাইচিকেল ফুটিল, কাৰ কিটো দুখুৱা হল এইবোৰ মেৰামতি কৰা হল কুণ্ডলৈ যোৱাৰ উপৰিও আৰু এটা উপকাৰ কাম। ফৰ্কভগা (fork) বাইচিকেলখন কেনেকৈ কাম চলাব পৰা কৰি সুদূৰ ডেনিঙৰ পৰা ডিব্ৰুগড়লৈ

আনিব পাৰি তাৰ ছবি এখন দিয়াৰ লোভ সামৰিব নোৱাৰিলো।

বাকী ১৫ জন লৰা ডেনিঙলৈ আগ বাঢ়িল। অলপ দূৰ যাওঁতে নৌ-যাওঁতেই আহিল বৰষুণ। বৰষুণৰ দিহে একোটা টোপাল—যেন গাৰ ছাল ফুটাই ভিতৰ সোমাই যাব।

ওপৰলৈ উঠি যোৱা পৰ্ব্বতীয়া বাস্তা। দোপাল-পিটা বৰষুণ। গাৰ কাপোৰ-কানি তিতি জোল বৈ গল। বৰষুণৰ পানীলৈ বাস্তাত সোঁত বৈ গল। বৰষুণৰ প্ৰতাপত চকু মেলিব নোৱাৰি তাতে আকৌ মুখৰ পৰা পানী বৈ আহি চকু ঢাকি পেলায়। বৰষুণৰ ছাট পাই গছবপৰা দুই এটাকৈ জোক গাৰ ওপৰত সৰি পৰিব ধৰিলে। বিপদৰ ওপৰতে বিপদ। কাপোৰ কানি ভিজি গধুৰ হৈ গল। চকুৰ পানীকে মছিব নে বাইচিকেলকে চম্ভালিব। কেনেবাকৈ পিছুলিলে নিজে তো পৰিবই লাগিব লগতে পাছৰ দুই এজনো থহি নামনিত পৰিব।

ভালে ভালে ডেনিঙৰ শ্ৰীযুত বিনন্দিবাবুৰ ঘৰ পোৱাগৈ হল। এতিয়া তেখেতে এই পোন্ধৰজন লৰাক পিন্ধিবৰ কাৰণে কিমান কাপোৰ দিব! বাকচ পেটাৰি যত আছিল সকলো খুলি দিলে—যাৰে যি ইচ্ছা তাকে নি পিন্ধিব বুলি। ধুতি পোৱাবোৰে ধুতিকে পিন্ধিলে, নোপোৱাবোৰৰ কোনোৱে পিন্ধিলে ছৰাৰৰ পৰদা, কোনোৱে আকৌ সাৰীকে পিন্ধিলে। এতিয়া গাত উৰা হয় কি? কোনোৱে কোট, কোনোৱে কামিজ, কোনোৱে চুৰেটাৰ, কোনোৱে আকৌ বঙ্গতে জেকেটকে পিন্ধিলে। এইবাৰ সৈনিকৰ সাজ পিন্ধা দলটো এটা বহুৰূপীৰ দল হৈ পৰিল। ইটোৱে সিটোৰ মুখলৈ চায় আৰু হাঁহে—নানান বেশৰ সমাবেশ দেখি।

পাছদিনা ৰাতিপুৱা বাকীজনো ডেনিং পালেহি। বৰষুণৰ বতৰৰ কাৰণে সেইদিনা তাতে থাকি পাছদিনা ৰাতিপুৱা ৮টা বজাত উলটি অহা হয়।

ডেনিং সদিয়াৰ এলেকাৰ ভিতৰৰ ঠাই। ইয়াত ৫০ জন চিপাহীৰে গঠিত এটা ফৌজ আছে। ডেনিং সাগৰৰ পৰা ৬০০০ ফুট ওখত।

ডেনিঙৰ পথে আহি সদিয়াত শ্ৰীযুত দাসৰাম তালুকদাৰৰ ঘৰত থাকি আৰু বাটতে আগেয়ে কৈ অহা শ্ৰীযুত বিনয়কুমাৰ পুৰকায়স্থৰ ঘৰত সোমাই ডিব্ৰুগড়লৈ উলটি অহা হয়।

আমাৰ এই ক্ষুদ্ৰ দলটিক সহায় কৰা সকলো ভদ্ৰলোকেই আন্তৰিক ধন্যবাদৰ পাত্ৰ।

ডিব্ৰুগড় পোৱাৰ দিনা আবেলি সকলোৱেই অধীৰ আগ্ৰহেৰে বাট চাই আছিল—এই আহিল, এই পালেহি বুলি।

হোষ্টেলত অভ্যৰ্থনা কৰাৰ উখল-মাখল লাগি পৰিল। আসাম-মেচৰ মেখাবসকলে গান-বাজনাৰে সৈতে চাহ মেলৰ আয়োজন কৰি পেলালে। তেখেতসকলে হাততে নিচান লৈ শাৰী পাতি বৈ আছিল। "হইলাৰ"বোৰ আহি পোৱা মাত্ৰকে আনন্দ ধ্বনিৰে অভ্যৰ্থনা কৰিলে। গোটেই হোষ্টেলত কোঢ়াগ লাগি পৰিল।

হোষ্টেল চুপাৰিণ্টেণ্ডেণ্টে নিজে আহি চাহমেলত যোগ দি প্ৰত্যেক "হইলাৰ"ৰ খবৰ ললেহি। হাঁহি খিকিন্দালিৰে হোষ্টেল ভৰি পৰিল। তেতিয়া আবেলি ৫টা বাজিছিল। আবকালিৰ ডিব্ৰুগড়ীয়া বেলি ডুব যাওঁ ডুব যাওঁ হৈছিল।



বৰবৰুৱাৰ ভাবৰ বুৰ্বুৰণি

—শ্ৰীযুত কৃপাবৰ বৰবৰুৱা

বৰবৰুৱাৰ মনত আজি বৰ বেজাই। তেওঁ মনৰ বেজাৰতে ঘুম-মাৰি বহি আছে। এনেতে লম্বাই বাপু কাষ চাপি আহি কীৰ্ত্তনৰ পদ মাতিবলৈ ধৰিলে।—

"কিসক দৈত্যেন্দ্ৰ আছা মনত বিকলে।
তিনিও লোকক তুমি জিনিলা একলে॥
তযু কটাক্ষতে কম্পে দিগপালগণ।
তোমাৰ চিন্তাৰ কিছু নেদেখোঁ কাৰণ॥"

বৰবৰুৱা।—কাৰণ আছে, কওঁ শুনা। ঘূৰণীয়া মেজৰ মেলখন আমাৰ পঁচিৰ উঠিবলৈ যোৱা গুটিটো গেলাদি গেলিল। লাভৰ ভিতৰত ভাৰতত আকৌ সত্যাগ্ৰহ, আৰু সত্যাগ্ৰহক তহিলং কৰিবলৈ যোৱা মাৰ, ধৰ, ফাটক আৰু গুলি। এইখন কি হল, আৰু কি হবলৈ গল, মোক তুমি কব পাৰা নে? মই যিমানকে ভাবিছোঁ সিমান সমুখত ধূঁৱলিকুঁৱলী দেখিছোঁ।

লম্বাই।—ভাল হল। ডাঙৰীয়াৰে সৈতে পৰামৰ্শ কৰি কাম নকৰা সেই গান্ধি বোলা লৰাটোক মই হলে তিনিকুৰি-বছৰীয়া বুঢ়া বুলিব নোৱাৰিলোঁ। এজাতৰ মানুহ আছে, বয়স বাঢ়িলেও লৰা হৈয়েই থাকে। গান্ধি মহাত্মাকো তেনে বুলিয়েই মোৰ মনে ধৰিছে। সেই দেখিয়েই হবলা জগতৰ সকলোৱে কয় যে গান্ধিৰ গাত child-like simplicity অৰ্থাৎ শিশুৰ নিচিনা সৰলতা। মোৰ বোধেৰে গান্ধি অকল লৰায়েই নহয়—শিশু ছৱাল। মই বুকু ডাঠকৈ কব পাৰোঁ যে, তেওঁৰে সৈতে বিজালে বৰবৰুৱা ডাঙৰীয়াকে প্ৰমুখ্য কৰি আমোলা-তন্ত্ৰৰ আমোলা-ফৈলা এটাইবোৰ বয়োবৃদ্ধ আৰু জ্ঞানবৃদ্ধ হৈ থকাটো সাব্যস্ত হব।

"হেন জানি হুয়ো ৰজা মনত সন্তোষ।
শিশু ছৱলৰ কিছু নধৰিবা দোষ॥"

অবালচন্দই নকৰে কি? এতেকে অবালচন্দ লৰাৰ দোষ ডাঙৰীয়াই নধৰিব।—

"বৰুণৰ পাশে বান্ধি থৈয়ো কতকাল।
আপুনি বয়স ভৈলে বুদ্ধি হৈব ভাল॥"

মোৰ মনেৰে সেই শিশু ছৱালটিক বান্ধি থলেই তেওঁ নষ্ট কৰা দৈত্যশিশুবোৰ "ঠাণ্ডা" হব।

লম্বাইৰ পৰামৰ্শ শুনি বৰবৰুৱা অলপ টভক্ মাৰি ৰল।

"এহি হৌক বুলি পাছে মাতে দৈত্যেশ্বৰ।
শিখায়োক আৰু ৰাজনীতি নিৰন্তৰ॥"

বৰবৰুৱা।—হুকুম তো তোমাক দিলোঁ লম্বাই, কিন্তু তাৰ ভিতৰত আৰু এটা কিন্তু যে ৰৈ গল। দেশৰ গঢ়-গতি যেনেহে দেখিছোঁ, প্ৰহ্লাদে সত্যাগ্ৰহ কৰিবলৈ হুকুম নিদিলেও, দৈত্যশিশুবোৰে নকৰি এৰাৰ আগন্তুক ক'ত! দেশকাল আজিকালি এনে হৈ পৰিছে যে সিহঁতৰ খাবলৈ ভাত নাই, কৰিবলৈ চাকৰী নাই, খৰচলৈ পইচা নাই; So on and so forth।

লম্বাই।—মই কওঁ ডাঙৰীয়া, সিহঁত দৈত্যশিশু হল বুলিয়েই যে ঘোৰা হাতী সিহঁতক খাবলৈ দিব লাগিব, এনে কথা হব নোৱাৰে। আগৰ দিনত আমাৰ ভাৰতৰ ঋষিমুনি প্ৰভৃতি ঘাইপুৰুষসকলে গছৰ ফল মূল খাই থাকিয়েই ডাঙৰ দৰ্শন বিজ্ঞানৰ শাস্ত্ৰ লেখিছিল; আন কি ৰজাৰ মন্ত্ৰীগিৰিও কৰিছিল। তেওঁলোকতকৈ এই দৈত্যশিশুখনে কিমান সৰহকৈ খাবলৈ পাইছে, ডাঙৰীয়াই গুণি চোৱা নাই নে? আন নালাগে ইহঁতৰ গুৰু গান্ধি মহাত্মাৰে সাজত পাঁচঅনা পইচাৰ বেছি খৰচ নহয় বুলি শুনিছোঁ। পাঁচ অনাৰে দুসাজি খায়ো যদি সেই ছৱালটি মহাত্মা হব পাৰে, তেন্তে দৈত্যশিশুবোৰে ইমান সৰহকৈ

খাবলৈ বিচাৰে কিয়? তেনেকুৱা কৰিলে, সিহঁত মহাত্মা হোৱাটো তো দূৰৰ কথা, আত্মাও হব নোৱাৰি, অন্তত ক্ষুধাত্মা হৈ মৰিবগৈ। এইবোৰ অৱনতিৰ লক্ষণ নহয় নে ডাঙৰীয়া? মই পোনপটিৰ মানুহ, সেই দেখি আপোনাক মই পোনপটিয়েই সুধিছোঁ, কওকচোন?

বৰবৰুৱা।—শুনা, শুনা, লম্বাই! বেছি ভক্‌নভকাবা। মই শুনিছোঁ সিহঁতৰ হাতত পাঁচ অনা নালাগে, দিনৌ দুসাজৰ নিমিত্তে পাঁচ পইচাও নাই। সিহঁতে এসাজ আদ্‌পেটাকৈ খায় আৰু এসাজ লঘোনে থাকে।

লম্বাই।—মোৰ মনেৰে এসাজ খোৱাটোও ভুল ডাঙৰীয়া। কাৰণটো কওঁ শুনক। পেট ভৰাই ভাত খালে মানুহৰ গা গধুৰ হয়, মানুহ এলেহুৱা হৈ পৰে; সেই মানুহে ওখ কথা ভাবিব নোৱাৰে। এইটো মই নিজৰ গাতে প্ৰমাণ পোৱা কথা। ডাঙৰীয়াই জানো মন কৰা নাই যে গান্ধি মহাৰাজেই একোবাৰ একৈশ দিনকৈ লঘোন দিছিল। সেইদৰে লঘোন দি দি হে, তেওঁৰ বুধিটো তেওঁ শণাই লব পাৰিলে। আমাৰ দৈত্য-শিশুবোৰও যদি বুদ্ধিমান হব খোজে, তেন্তে সিহঁতে দকচি লঘোন দিয়ক; আৰু আমাৰ দয়ালু দৈত্যেন্দ্ৰ বৰবৰুৱাই সেইটো encourage কৰক, অৰ্থাৎ সিহঁতক তেনেকুৱা কৰিবলৈ উছাহ দিয়ক।—অৱশ্যে মাথোন বাক্য-বচনেৰেহে উছাহ দিবলৈ মই কৈছোঁ, আহিঁৰে নহয়।

বৰবৰুৱা।—"অল্ ৰাইট!" লম্বাই শৰ্ম্মা। তোমাৰ উপদেশটো সাৰুৱা। মই বিবেচনা কৰি চাওঁ, পিছত হুকুম দিম। আজি লৈ তুমি যোৱা। মোৰ বৰকৈ টোপনিয়ে ধৰিছে।

লম্বাই।—যোৱাৰ আগতে আৰু একাষাৰ কথা মই ডাঙৰীয়াক সোধোঁ। ডাঙৰীয়াই যে কৈছে, ঘূৰণীয়া মেজৰ মেলখন পণ্ড হল, সেই কথাত মোৰ অমত। আমাৰ মানুহে যিহকে বিচাৰিছিল, তাকে নাপালে জানো? লেখ দিওঁ শুনক। প্ৰথমতে পালে কেন্দ্ৰীয় শাসনত অধিকাৰ দিয়াৰ অঙ্গীকাৰ। দ্বিতীয়ত পালে, প্ৰাদেশিক শাসনতো তেওঁলোকক অধিকাৰৰ গাদি দিয়াৰ অঙ্গীকাৰ। তৃতীয়ত, সিন্ধু দেশখনক সুকীয়া দেশ কৰাৰ, আৰু উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশখনক গবৰ্ণৰৰ শাসনৰ তলতীয়া কৰিবৰ স্বীকাৰ। চতুৰ্থত, তিনি-চাৰিখন বৃটিচ্ কমিটি ভাৰতলৈ পঠিয়াই, ভাৰতীয়বোৰৰ কোন কোন বিষয়ত স্বদেশ শাসন কৰিবৰ যোগ্যতা আছে, তাৰ বিচাৰৰ প্ৰচাৰ। ৰজাঘৰৰ উদাৰতা আৰু দয়ালুতা ইয়াতকৈ কিমান দূৰ যাব লাগে, মই হলে কব নোৱাৰোঁ।

বৰবৰুৱা।—পঞ্চমত, হিন্দু, মুছলমান, শিখ, খৃষ্টান আৰু অস্পৃশ্যসকলক গাইগোটা পেটেভঁৰালৰ অধিকাৰৰ অঙ্গীকাৰ। ইমানবোৰ অঙ্গীকাৰ কি কম কথা!

লম্বাই।—লোট আৰু হেণ্ডনোটত "I promise to pay" বোলা অঙ্গীকাৰৰ ওপৰতে লাখ লাখ টকাৰ কাৰবাৰ চলিব লাগিছে। মহামন্ত্ৰীৰ বগা কাকতখনেই আমাৰ হেণ্ডনোট। তাৰেই আমাৰ 'কিল্লাফতে'। সৰহলৈ যাবই নালাগে আমাৰ দেশৰ পকাজলকীয়া মুন্‌চুপ ডাঙৰীয়াৰ কাছাৰিত তাৰ ওপৰতে আমাৰ দেৱানী গোচৰ থিয় কৰি দিলে—"ডিগ্ৰি"। আৰু এটা কথা ডাঙৰীয়াই মন কৰি চাওক,—দুৰ্ব্বলীৰে সৈতে দুৰ্ব্বলী গোট খালে দুইটাৰ যোগ-ফল মহাদুৰ্ব্বলী। শূন্যৰে সৈতে শূন্যৰ যোগ মহাশূন্য। আমাক পালে, একেজাঁপেই সাত ৰজাৰ ধন মাণিকেৰে সৈতে মাণিকীক লাগে। কিন্তু মাণিকীৰ কাণত কেৰু আৰু হাতত খাৰু দি তাইক পুহিব পাৰিবৰ হলে আমাৰ শকতি নাই। ডাঙৰ বৰ বিচাৰিলে তপস্যা নকৰিলে তাক পোৱা নাযায়। আমাৰ কীৰ্ত্তন পুথিখন মেলি চালেই ডাঙৰীয়াই দেখিব, দৈত্যশিশুবোৰৰ ৰজা দৈত্যেন্দ্ৰয়ে দুৰ্ঘোৰ তপস্যা কৰিহে ব্ৰহ্মাৰপৰা বৰ লভিছিল। তেওঁৰ তপৰ ধুমটো চাওক—

"আকাশ চাই উৰ্দ্ধবাহু হুই।
থাকিল ভূমিক অঙ্গুষ্ঠে ছুই।
জটাৰ দীপিতি দেখন্তে ত্ৰাস।
প্ৰলয় সূৰ্য্যৰ যেন প্ৰকাশ॥
ঢাকিল তনু উঁই মাটি তুলি।
শৰীৰৰ মাংস খাইলে সমূলি॥

গজিল তাক ঢাকি যেকঝাৰ।
তথাপি কটাক্ষ নাহিকে তাৰ॥"

আৰু আমি তিয়াল্লিশটা বক্তৃতা কৰি চৌৱাল্লিশ ডাল টোকোনেৰে সৈতে ঘনিষ্ঠতা কৰি পঞ্চাল্লিশ বাৰ তীৰ্থযাত্ৰা কৰিয়েই "বৰ দিয়া ব্ৰহ্মা!" বুলি হাত পাতিছো, হাঁহি উঠা কথা নহয় নে?

বৰবৰুৱা।—বোলোঁ বাপু লম্বাই। বহুত হৈছে।আৰু ৰক্ষা কৰা। তুমি মোৰ ওচৰৰ পৰা উঠি যোৱাঁ। আন ঠাইত যি পাৰা কৰাঁগৈ। মোৰ বেজাৰ ময়েই ভুগিম, মোৰ লো ময়েই টুকিম। আঃ! ৰবিঠাকুৰে কি গানটোকে বান্ধিছিল।

সংসাৰ কঠিন বড় কাৰেও সে ডাকেনা।
কাৰেও সে ধৰে ৰাখেনা!
তোমাৰ ব্যথা, তোমাৰ অশ্ৰু, তুমি নিয়ে যাবে,
আৰ ত কেহ অশ্ৰু ফেলিবেনা।"

বিজয়াৰ দিনা

গল্প—

শ্ৰীযুত শিৱনাথ শৰ্ম্মা, বি-এছ-ছি

আজি বিজয়া দশমী। পাঁচ দিনকৈ ধনী-দুখীয়া বুঢ়া-ডেকা নিৰ্ব্বিশেষে সকলোৱে মা আনন্দময়ীৰ আগমনত পুলকিত হৈ আজি দুখেৰে আনন্দময়ীক বিসৰ্জ্জন দিবলৈ ওলাইছে। ৰাজ-আলিৰ দাঁতিতে আমাৰ ঘৰটো। এই ফালেদিয়েই প্ৰতিমাবোৰ নৈত উটুৱাবলৈ লৈ যায়। আন বছৰৰ দৰে আজিও গোসানী উটুৱা ঠাইলৈ লালি নিছিগাকৈ মানুহৰ ধাৰ বৰ লাগিছে। তাৰ মাজে মাজে বাইচাইকেলৰ টিলিং-টিলিং আৰু মটৰৰ ভোঁ-ভোঁ শব্দ। মই বাৰান্দাতে চকী এখনত বহি তাকে চাই আছো। এজনৰ পাছত এজনকৈ তিনিজন বন্ধুৱে গোসানী উটুৱা চাবলৈ মোৰ লগ ললেহি। মই পিছে তিনিওকো "নাযাওঁ" বুলি কলোঁ। তাৰে এজনে কলে "তুমিও বৰ আচৰিত মানুহ হে। আজিও দুখোজ ওলাই যাব নোপোৱানে?" মই কলো "এৰা, মোৰ গাটো বৰ ভাল লগা নাই। তোমালোকেই যোৱা, মই নাযাওঁ।" তেওঁ বিলাকে মোক নিয়াৰ চেষ্টা বৃথা অনুভৱ কৰি এৰি থৈ গুচি গল।

দলে দলে মানুহ। ডেকা-গভৰু, বুঢ়া-বুঢ়ী, লৰা-ছোৱালী আটাইবিলাকে নতুন সাজ-পোছাক পিন্ধি বেগা-বেগিকৈ যাব লাগিছে। সৌৱা, শঙ্খ-ঘণ্টা বজাই এখনি প্ৰতিমা আনিছে। তাৰ পাছত আকৌ এখন, তাৰ পাছত আকৌ এখন—এনেকৈ ভালেকিখন প্ৰতিমা বাটেদি গলহি। বোধকৰো আৰু প্ৰতিমা নিবলৈ বাকী নাই। মোৰ অন্তৰৰ পৰা অজ্ঞাতসাৰে এটা হুমুনিয়াহ ওলাই আহিল। মই চকীত বহি আগৰ দৰে চিন্তামগ্ন হৈ শিলৰ মূৰ্ত্তিৰ দৰে বহি থাকি আলি-বাটলৈ চাই ৰলো।

সি আজি কুৰি বছৰৰ আগৰ কথা। সেই দিনা মোৰ শান্তি বিয়া। দেউতাই মোৰ বিয়া ঠিক কৰিছিল এটা মধ্যবৃত্ত পৰিয়ালৰ অৰ্থাৎ আমাৰে নিচিনা এজনী ছোৱালীৰে সৈতে। সচৰাচৰ আমাৰ মাজত ছোৱালী যেনেকৈ ঠিক কৰা হয় মোৰ বিয়াতো তেনেকৈয়ে হৈছিল; অৰ্থাৎ ছোৱালী মই নিজে দেখা নাছিলো। দেউতাই ছোৱালী চাইছিল আৰু চাই আহি আৰ-তাৰ আগত

কৈছিল যে ছোৱালীটো তেওঁৰ বৰ মনঃপূত হৈছে। মোৰ কাৰণে সেয়ে যথেষ্ট। মই ৰাজী—বিয়া হৈ গল। বিয়াৰ পিছদিনা তেওঁক প্ৰথম বাৰৰ কাৰণে দেখা পালো। কিবা-কিবি কথা দুটামান আগৰেপৰা কম বুলি ভাবি থৈছিলো। পিছে লাজ আৰু ভালপোৱা দুয়োটা একেলগ হৈ মোৰ কথা কোৱাৰ চেষ্টা তেনেই বিফল কৰিলে। মই ঘামিবলৈ ধৰিলো। আবেগেৰে প্ৰণয়ৰ প্ৰথম চুম্বন দি বেগা-বেগিকৈ কোঠাটোৰ পৰা বাহিৰলৈ ওলাই আহিলো।

অ' মোৰ শান্তি বিয়াৰ কথা। সেইদিনা ফাকুৱা। ৰাতিপুৱা ৯ মান বজাতে যাত্ৰা কৰি ৰেল ধৰা হল। ৰেলৰপৰা নামি দুমাইল বাট যাব লাগে। মটৰগাড়ী বন্দোৱস্ত কৰা আছিল। তাত উঠি পৰিলোহক। যাওঁতে বাটত লৰা কেটামানে আমাক ফিচকাৰি মাৰিলে। আৰু আচৰিত ৰকমে ৰংখিনি পৰিলেহি অকল মোৰ গাত। মই মটৰৰ এদাঁতিত বহি গৈছিলো। আমাৰ ভিতৰৰ দুজনমানে লৰা কেটাক ডাবি দিবলৈ ধৰিলে। মোৰ পিছে ৰংখিনি গাত পৰাত বেয়া তো নালাগিলেই কিহৰ কাৰণে নাজানো ভালেই লাগিল। লৰাকিটাক ডাবি দিবলৈ মই হাক দিলো। আমি গন্তব্য স্থানত উপস্থিত হলোগৈ।

যথাৰীতি শান্তিৰ কাৰ্য্য সমাধা হল। সন্ধ্যা লগাৰ অলপ পিছতে আমি কন্যা লৈ আকৌ ঘৰলৈ ৰাওনা হলো। দোল পূৰ্ণিমাৰ ফৰিং-ফুটা জোনাকত মোৰ হৃদয়খন আবেগেৰে ভৰপূৰ হৈ পৰিছিল। মোৰ সকলো চিন্তা এক কেন্দ্ৰত আৰম্ভ হৈ শাখা-প্ৰশাখা মেলি মোক কোনোবা স্বপ্নপুৰী পোৱাইছিলগৈ। মই বাহিৰৰ জোনাকত বাজে আন একো দেখা নাছিলো। দুবাৰ দুজনে কথা কওঁতে মই এবাৰ দ্বিতীয় আৰু এবাৰ তৃতীয় বাৰতহে প্ৰশ্নৰ মানে ধৰিব পাৰি মোৰ অমনোযোগিতাৰ বাবে লাজ পাইছিলো।

ঘৰ পালোহি ৰাতি বাৰ বজাত। তেতিয়াও জোনাকত বাহিৰ দিন যেন হৈ আছে। খোৱা বোৱা হৈ গল। মই শুবলৈ ভিতৰলৈ আহিলো। আজি প্ৰথম বাৰৰ কাৰণে মোৰ জীৱন-সঙ্গিনীক অকলে লগ পাই মোৰ অন্তৰৰ আবেগ ব্যক্ত কৰাৰ সুবিধাৰ কথা ভাবি মোৰ অন্তৰত ভাবৰ জোৱাৰ-ভাটা ববলৈ ধৰিলে। মই সেইদিনা ৰাতিপুৱাই অলপ ফাকু আনি তাৰে অলপমান চিচা এটাত গুলি লুকুৱাই থৈ গৈছিলো। কবলৈ পাহৰিছো, তেওঁৰ নাম আছিল "ফুল"।কোঠালৈ সোমাই দেখো ফুলে পিন্ধি অহা কাপোৰ-কানিৰেই বিছনাখনত উঠি মুখতে ভৰি-পিঠানত কুচি মুচি পৰি আছে। মই মনে মনে চিচাটো আনি তেওঁৰ গালৈ ফাকু এছাটি মাৰি কলো "ফুল, আজি আটায়ে ফাকু খেলিলে নহয়। আমাৰ তো খেলা নহল, নেখেলা জানো?" ফুলৰ গাত ফাকুৰ পানী পৰিলত ফুলে মূৰটো তললৈ কৰি বিছনাতে তেনেকৈ মুখ গুজি পৰি থাকিল। মই তাৰ পিছত শুকান ফাকু এমুঠি লৈ "কি হেঁ, তেনেকৈ তললৈ মূৰ কৰি পৰি থাকিলা দেখোন। চাওঁ মূৰটো দাঙাচোন" এই বুলি কৈ মূৰটো দাঙি ফাকুৰে গোটেই মুখখন ৰঙা কৰি দিলো। ফুলে "য'ক আপুনি বৰ বেয়া" বুলি মুখখন আঁতৰাই লৈ গল। মই তাৰ পিছত ৰুমাল এখন আনি "ফুল, বেয়া পালা নে কি?" বুলি ৰুমালেৰে মুখখন মুছি দিলো। ফুলে কলে, "নাই পোৱা, মই আপোনাক ধেমালিহে কৰিছিলো।" ফাকু পৰা কাপোৰ-বোৰ সলাই পেলাবলৈ কলোঁ।

এদিন দুদিনকৈ এবছৰ আৰু এবছৰ দুবছৰকৈ তিনি বছৰকৈ আমাৰ বিবাহিত জীৱন অতিবাহিত হল। তিনি বছৰৰ মূৰত আমাৰ এটি কন্যা জন্ম হৈ চন্দ্ৰসূৰ্য্যক সাক্ষী কৰি কৰা আমাৰ মিলনক প্ৰাণ দি সেই বান্ধোন চিৰস্থায়ী কৰিলেহি। বিয়া হৈ যোৱাৰ পিছৰ পৰাই মোৰ চিৰসঙ্গিনীৰ কথা ভাবি ভবিষ্যতলৈ যি এখন সোণালী সংসাৰৰ সপোন আঁকিছিলো সঁচাকৈয়ে মোৰ বিবাহিত জীৱনত সেই সপোন দিঠকত পৰিণত হৈছিল। অৰ্থৰ নাটনি বা আন কোনো বাহিৰৰ অসুবিধাই আমাৰ সংসাৰিক জীৱনত কষ্টৰ ছাঁ পেলাব নোৱাৰিছিল। ফুলক মই যেনেকৈ ভাল পাইছিলোঁ সেইদৰে দেউতা আৰু আইৰো ফুল বৰ মৰমৰ হৈ উঠিছিল।

আমাৰ ছোৱালীটাৰ নাম বাখিলোঁ বেণু—ফুলৰ জীয়েক বেণু। ঠিক হৈছে। নামটো মোৰ মনৰপৰা হঠাৎ আপোনা-আপুনি ওলাইছিল আৰু নামটো সঁচাকৈয়ে ভাল পালোঁ। লাহে লাহে বেণুৰ বয়স তিনি বছৰ হলহি। তাই এতিয়া লৰি-ধাপৰি ফুৰে। মাত আটাইবোৰ ফুটিছে। বেণু ঘৰখনত একমাত্ৰ কেঁকুৰা। কাজেই তাই যে আটাইবে আলাসৰ লাক হব সি কেৱল স্বাভাৱিক।

আহিন মাহ। জাৰ অঁহিয়াইছে। গৰমৰ পিছত জাৰ আৰম্ভ হোৱা দিনকেটা বৰ ভাল লাগে। সেইদিনা বৰ বৰষুণ হল। বাৰিষাৰ দিনত এনেকুৱা বৰষুণ একো ডাঙৰ নহলেও আহিন মাহৰ কাৰণে বেছ ডাঙৰ বৰষুণ। ফুলে বৰষুণত তিতি তিতি পুখুৰীৰ পানী আনিছে। কাঁহী বাটি ধুইছে আৰু আন কাম কৰি ফুৰিছে। মই কলো "বৰষুণত তিতি তিতি নো কাম কৰি ফুৰিছা কেলৈ? অলপ বৈ কৰিলে নহয় জানো? ক'ৰবাত অৱ-জাৰি হ'ব পাৰে।" ফুলে ক'লে "এনেকৈ বৰষুণত তিতি কাম কৰিবলৈ মোৰ বৰ ভাল লাগে। আৰু মই তো বোপাইৰ ঘৰত চাকৰ-চাকৰানীৰ ওপৰত ভৰ দি ঠেঙৰ ওপৰত ঠেং তুলি খাই অহা নাই যে অলপ বৰষুণত তিতিলেই মোৰ অৱ হ'ব। ঘৰত থাকোতে ইয়াতকৈও কত ডাঙৰ বৰষুণত তিতি কাম কৰিব লগা হয়।". হাঁহি হাঁহি ফুল আকৌ কামত লাগি গল। মঘো আৰু বাৱণ নকৰিলো।

পিছদিনা সঁচাকৈয়ে ফুলৰ অলপ অলপ অৱ হল। ভাবিলো বৰষুণত তিতা বাবে অৱ হৈছে, দুই তিনিদিনতে ভাল হৈ যাব। পিছে অৱ নেৰিলে। তিনি-চাৰি দিন যোৱাৰ পিছত ফুলে কলে "মোৰ গাটো অলপ অলপ বিষাইছে।" আৰু দেৰি কৰা উচিত বিবেচনা নকৰিলো। ডাক্তৰক মাতি আনিলোগৈ। ডাক্তৰে চাই কলে "নিউমোনিয়া"। মোৰ মূৰত আকাশী চৰণ ভাগি পৰিল। ডাক্তৰে মোক সান্ত্বনা দি ক'লে "আপোনাৰ ভয় পোৱাৰ কোনো কাৰণ নাই। নিউমোনিয়াৰ "কে'ছ" সদাই কত ভাল হব লাগিছে।" ডাক্তৰে "প্ৰেছক্ৰিপশ্চন" লিখি পথ্যাপথ্য আৰু শুশ্ৰূষাৰ ব্যৱস্থা কৰি দি গুচি গল।

ঔষধ আনি খুওৱা হল আৰু ঠিক ডাক্তৰে কোৱামতে শুশ্ৰূষা চলিবলৈ ধৰিলে। দেউতা, আই, মই তিনিও সকলো কাম কাতি কৰি থৈ বেমাৰীৰ শুশ্ৰূষাত লাগি গলোঁ।

বেমাৰ দিনে দিনে বেছি ফাললৈ যাবলৈ ধৰিলে। ডাক্তৰ আহি দিনেই এবাৰকৈ চাই যায়। নিজে আগত থাকি সেক-পোটক দিয়াম, আহাৰ পানী খুৱাম। দুদিনে তিনদিনে দৰৰ সলনি কৰি দিয়াসত্ত্বেও বেমাৰৰ অলপো উপশম হোৱা নাই। পোন্ধৰ দিন হৈ গল। বেমাৰ উত্তৰোত্তৰ বাঢ়িহে গৈছে। ফুল এতিয়া লাল-কাল হি পৰি থাকে। মাজে মাজে চকু মেলি মই ওচৰত আছোনে নাই চায়, আৰু বেণুক ওচৰত নেদেখিলে তাইৰ খবৰ লয়। বেণুক মই ওচৰলৈ মাতি কোলাত লৈ বহিলে আকৌ চকু মুদে। সেইদিনাও ডাক্তৰ আহিল। বৌগুৰ চোৱাৰ পিছত ডাক্তৰৰ মুখখন অস্বাভাৱিক গম্ভীৰ দেখিলো। মোৰ বুকুখন চিৰিং কৰি উঠিল। সঁচাকৈয়ে তেন্তে ফুলে মোক এৰি যৈ যাবলৈ ওলাইছে নেকি—তেন্তে মোৰ সোণালী সংসাৰৰ সপোন দিঠকত পৰিণত হৈছিল ক্ষত্তেৰ পিছতে আকৌ ভাগি চুৰমাৰ হবলৈ। নহয়, এনে কেতিয়াও হব নোৱাৰে। ঈশ্বৰক মই ইমান নিৰ্দয় বুলি কল্পনা কৰিব নোৱাৰোঁ।

ডাক্তৰৰ গম্ভীৰ মুখৰ নিমাত ভবিষ্যদ্বাণী বুজিবলৈ বেছি সময় নলাগিল। বেমাৰে যে নিতান্ত বেয়াৰ ফাললৈ ঢাল লৈছে তাক সহজেই বুজিব পাৰিলোঁ। মই একেবাৰে হতভম্ব হলোঁ। আগেয়ে যেনেকৈ ফুলৰ শুশ্ৰূষাত মোৰ মনোযোগ আছিল এতিয়া তেনে মনোযোগ দিব নোৱাৰা হলো। ইমানদিনে ফুলক ঠিক যি ঘণ্টাত দৰব খুৱাৰ লাগে যি সময়ত পথ্য দিব লাগে ঠিক সেই ঘণ্টাত আৰু সময়তে দৰব আৰু পথ্য দি আছিছো। এতিয়া কিন্তু ভাবি থাকোঁতে থাকোঁতে দৰব খুৱাৰ ঘণ্টা, আধাৰ দিয়াৰ সময় কেতিয়া যে পাৰ হৈ যায় তত ধৰিব নোৱাৰা হৈ পৰিলোঁ। ফুলৰ মুখলৈ চকু পৰে। নিটোল, বাঙলী গালছুখনি সোমাই গৈ একেবাৰে নিস্তেজ হৈ পৰিছে। মুখত তেজৰ লেশমাত্ৰ নাই। ভিতৰবপৰা দীঘল

দুমুনিয়াহ ওলাই আছে। ফুলে কেনেবাকৈ দুমুনিয়াহ পেলোৱা শুনে বুলি বলেৰে চাপি ধৰোঁ।

আহিনৰ তিনি সপ্তাহ পাৰ হৈ চতুৰ্থ সপ্তাহ আৰম্ভ হৈছে। দুর্গাপূজাৰ ধূমধাম্। আজি সপ্তমী। পূজাৰ আয়োজন, থিয়েটাৰ-ভাওনাৰ আযোজন। আলিৰ দাঁতিৰ দোকান-পোহাৰ সকলোবোৰ মিলি সংসাৰখনক নতুন বেশেৰে ভূষিত কৰি তুলিছে। বাটৰ ভিকহুৰ মুখতো দুখৰ অকণ কালিমা নাই। সকলো আনন্দত বলিয়া। দেউতা গৈছে পূজাটৈ। আয়ো ওচৰৰে এঘৰত গোসানী সেৱা কৰি বেগেতে আহিম বুলি ওলাই গৈছে। তেতিয়া দুইয়ান বাজিছে। মই ফুলৰ ওচৰতে বিছনাখনত বহি আছোঁ। বেণুৱে চুকৰ মেজ এখনৰ ওপৰত কিবা এটা কেটেলগ মেলি ছবি চাই আছে ফুলে চকু দুটা মেলি জীৰ মাতেৰে কলে "অলপ ওচৰলৈ আহক।" মই ওচৰলৈ গলোঁ। ফুলে কলে "দিনে দিনে গা যেনেকুৱা হৈ আছিছে মই যে ভাল হৈ উঠিম তাৰ আশা নাই।" কথাবাৰ শুনি মই আৰু নিজক নিজে দমাব নোৱাৰিলোঁ, সৰু লৰাৰ দৰে হাউ হাউ কৰি কান্দি উঠিলোঁ। ইমান দিনে বোধ কৰি আহা অগ্ৰাহ্য আৰু বোধ কৰিবলৈ মোৰ গাত শক্তি নাথাকিল। কলোঁ "ফুল, কিয় তেনে কথা কৈছা। তুমি ভাল হৈ উঠিবা।" আৰু কব নোৱাৰিলো। ফুলে আকৌ কবলৈ ধৰিলে "নাকান্দিব। আপোনাৰ চকুৰ পানীয়ে মোক আটাইতকৈ বেছি অভিভূত কৰে। মঘো ইমান দিনে ভাল হ'ম হ'ম বুলি নিজকে প্ৰবোধ দি আছিছিলোঁ। এতিয়া প্ৰবোধ দিয়া বৃথা যেন দেখিছোঁ। সঁচাকৈয়ে আপুনি আৰু বেণু, আৰু আই-দেউতা থকা সংসাৰখন এৰি যাবলৈ মোৰ বৰ কষ্ট হৈছে।" ফুল আকৌ অলপ নিমাত হৈ বল। দুই চকুৰেদি দুধাৰ চকু-লো বৈ গ'ল। মই চুবিয়াৰ আগটোৰে চকুৰ পানী মুছি দিলোঁ। কথা কবলৈ মুখত কথা নোলাল। বুকুত গুদিয়া-গুদি কবিবলৈ ধৰিলে। অলপ পৰ বৈ ফুলে আকৌ কবলৈ আৰম্ভ কৰিলে "আপোনাৰে সৈতে সংসাৰ পতাৰ দিনৰে পৰা মই যেনে এটা নতুন জীৱন পাইছিলো স্বৰ্গৰ অসৰাৰো বোধকৰো ইয়াতকৈ সুখৰ জীৱন পাব নোৱাৰে",

আকৌ নিমাত। তাৰ পিছত অতি থোকাথুকি মাতেৰে কলে "আপুনি তো আকৌ বিয়া কৰাব লাগিব। নহলে আপোনাৰ ঘৰ কৰ হব।" মই ফুলৰ গাত ঢাল থাই পৰিলো। কলোঁ, "ফুল! মনত নপৰে নে, এদিন তোমাক মই কৈছিলো মোৰ সহধৰ্ম্মিণী এজনীহে—তোমাৰ বাহিৰে আৰু কোনোৱে মোৰ সহধৰ্ম্মিণীৰ ঠাই লব নোৱাবে। মোক নতুন ফান্দত বান্ধ খুৱাই মোৰ জীৱন দুখুণে ব্যৰ্থ কৰি নাযাবাঁ ফুল! তুমি মোৰাৰ পিছত মই তোমাক স্বপ্নত লগ পাম। দিঠকত বিজুলীৰ পোহৰৰ নিচিনাকৈ দেখা দি তুমি তোমাৰ অস্তিত্বৰ কথা মোক জনাই থাকিবা। মই তোমাৰ সেই পোহৰলৈ চকু বাখি জীৱনৰ লক্ষ্য ঠিক বাখিম। তোমাক আকৌ সিপুৰীত লগ ধৰিমগৈ।" ফুলৰ শেঁতা মুখখনি অলপ দীপ্ত হৈ উঠিল। এটা ডুমুনিয়াহ ওলাই আছিল। তাৰ পিছত কলে "নাথ, যদি মানুহে মৰি মোৰাৰ পিছত এই সংসাৰৰ লগত সম্বন্ধ বাখি থাকিব পাৰে তেন্তে মই নিশ্চয় সদায় আপোনাৰ লগে লগে ফুৰি আপোনাৰ সহায় হৈ থাকিম। তাত মাথোন এই কেইটা দিন আপোনালৈ প্ৰতীক্ষা কৰিমগৈ।" এই বুলি কৈ ফুলে মোৰ মুখখন নিজৰ মুখখনলৈ টানি নি এবাৰ চাই চকু তলমুৱা কৰি ব'লে। মই ফুলৰ মনৰ ভাব বুজিব পাৰিলো। দুগালে দুটা চুমা খাই চকুৰ পানীবে গাল তিয়াই দিলোঁ। ফুলেও মোক এটা চুমা খালে।

আৰু তিন দিন পাৰ হৈ গল। আজি বিজয়া দশমী। ফুলে বেণুক সাৰট মাৰি ধৰিলে। মোৰ হাতখন টানি বুকুৰ ওপৰত ললে। মুখত এটা হাঁহিৰ বেখা জিলিকিল। আৰু নকলে শেষ। পূজাৰ ঘৰত বিসৰ্জ্জনৰ শঙ্খধ্বনিৰ ধ্বনি মোৰ প্ৰাণপ্ৰতিমাৰ বিসৰ্জ্জনৰ শঙ্খধ্বনিৰ লগত মিলি গল। ফাকুৰাৰ পূৰ্ণিমাত মোৰ ওচৰলৈ আহি মোক দুদিনৰে লীলা দেখুৱাই মোৰ প্ৰাণৰ প্ৰতিমা দেবী প্ৰতিমাবে সৈতে একেলগে যাত্ৰা কৰিলে।

বেণুক বুকুত বান্ধি লৈ, মাকবপৰা কাঢ়ি নোৱা মুখখনিলৈ চাই মোৰ প্ৰিয়াৰ আদেশলৈ বাট চাই আছোঁ, কেতিয়া মোক যাবলৈ আদেশ দিয়ে। বেণুৰ বিয়া হল। তাইক উলিয়াই দিলোঁ। এদিন বেণুৰ কিবা কাপোৰ

উলিয়াব লগা হোৱাত ময়ে ফুলব ট্ৰাঙ্কটো খুলিলো। কাপোবব মাজত বেলেগে এখন বঙীন কাগজেবে বান্ধি থোৱা টোপোলা এটাবে চকু পবিল। টোপোলোটো দেখি কৌতূহল হল। জবীডাল কাটি খুলি পেলালোঁ। খুলি দেখো ফাকুলগা এখন পাটব চাদব, সেই চাদবখন যিখনত মই ফুলক প্ৰথম অহাব দিনা ফাকুব পানী ঢালিছিলো। চাদবখনব এমূবে পিন এটা মাবি ফুলব ধুনীয়া আখবেবে লিখা আছে "মোব স্বামীব স্নেহব নিদৰ্শন।" ফুলক এদিন এখন বিয়াবৈ যাওঁতে মই যেতিয়া কৈছিলো "তুমি প্ৰথম দিন লৈ অহা সেই চাদবখন গাত লোৱাচোন ; মই সেই চাদবখন বব ভাল দেখো," ফুলে কৈছিল নহয়, "নহয় সেই চাদবখন মোব বব মনব চাদব। তাক যেতিয়াই তেতিয়াই লৈ বেয়া নকবো।" এতিয়াহে ফুলব সেই কথাব মৰ্ম্ম বুজিলো।

বেণু সজ পাত্ৰত পবিছে। তাই সকলো বকমে সুখী। এতিয়া মই মুক্ত। কেৱল অপেক্ষা কবিছো প্ৰিয়াব আদেশলৈ।

বাব বছবব মৃবত আজি আকৌ বিজয়া !!

নাটক

—শ্ৰীযুত বীবেশ্বব শৰ্ম্মা, বি-এ

সাহিত্য মানৱজীবনব দাপোণ। মানৱজীবনব ভাব-বাশি আৰু দৈনন্দিন ঘটনাবলীব দ্বাবা সাহিত্য গঢ়া হয় আৰু তাত মানৱজীবনব আৰু মানৱচবিত্ৰ স্বাভাবিক বকমে প্ৰতিবিম্বিত কবি দেখুৱাবলৈ যত্ন কবা হয়। নাটক সাহিত্যব এটি প্ৰধান অঙ্গ। উপন্যাস, কবিতা আদিও সাহিত্যব অঙ্গ, আৰু প্ৰত্যেকতে সাহিত্যিকে বেলেগ বেলেগ নিয়মে মানৱজীবন প্ৰতিবিম্বিত কবে।

আমি সদায় চকুব আগতে দেখিব লাগিছোঁ এই বিবাট মানৱজীবন, এই বিশাল মানৱসমুদ্ৰ। তাত কত মানুহ জন্মিব লাগিছে, মবিব লাগিছে। থোৱা থোৱা, বিয়া-বাক, হঁহা -কন্দা, কাটাকাটি-মাবামাবি, যুদ্ধ-বিগ্ৰহ এইবিলাকেই মানৱজীবনব ঘটনা। এখন দাপোণত আমি যেনেকৈ আমাব নিজ প্ৰতিকৃতি দেখিবলৈ পাওঁহক, নাটকতো আমি এই মানৱজীবনব এটি প্ৰতিকৃতি দেখিবলৈ পাওঁ। এই জন্ম-মৃত্যু, থোৱা-লোৱা, কাটাকাটি-মাবামাবি আদি ঘটনাবিলাক আচলতে যেনেকৈ ঘটে নাটকতো ঠিক তেনেকৈয়ে দেখুৱা হয়। পৃথিবীবপবা বাহিব হৈ পৃথিবীখন চোৱা যেনে, নাটক পঢ়া বা অভিনয় চোৱাও ঠিক তেনে ; মাত্ৰ আগবটো আচল, আৰু পাছবটো নকল। নাটকতো আমি দেখিবলৈ পাওঁ, মানুহে খাইছে-লৈছে, হাঁহিছে-কান্দিছে, যুঁজ-বাগব কবিছে ইত্যাদি। উপন্যাসব দৰে নাটকত এইবিলাক ঘটনাব কথা কোনেও কৈ নিদিয়ে। স্বাভাবিকতে সেই বিলাক যেনেকৈ ঘটে নাটকতো ঠিক তেনেকৈয়ে দেখুৱা হয় ; আমি কব নোৱাৰোঁ যে পাছত এজন নাট্যকাব আছে।

মানৱজীবনব কোনো এটা প্ৰধান ঘটনা লৈ নাটক লিখা হয় আৰু এই ঘটনাব সংস্পৰ্শলৈ যতবিলাক ঘটনা আহে সকলোকে নাটকত দেখুৱা হয়। চবিত্ৰ অঙ্কন নাটকব

এটি প্ৰধান বিশেষত্ব। কথা আৰু কামবপবা আমি মানুহব চবিত্ৰব বিষয়ে জানিব পাবোঁ। নাটকতো কথা আৰু কামেবে সকলো চবিত্ৰ প্ৰস্ফুটিত কবি তোলা হয়। প্ৰত্যেক নাটকতে এজন নায়ক, এগবাকী নায়িকা, কিছুমান প্ৰধান চবিত্ৰ, কিছুমান সকহুবা চবিত্ৰ, এটা প্ৰধান ঘটনা আৰু কিছুমান সামান্য ঘটনা থাকে। প্ৰত্যেক চবিত্ৰ বা ভাৱবীয়া আৰু ভাৱবীয়ানীয়ে নিজ নিজ ক্ষেত্ৰত নিজ নিজ কাম কবি যৈ থাকে আৰু প্ৰত্যেক সামান্য ঘটনা ঘটনাব সোঁতত ঘটি থাকে। কিন্তু এই চবিত্ৰবিলাক আৰু ঘটনাবিলাক এনেভাৱে দিয়া হয় যে ইটোৱে সিটোৰ গাত ভেঙ্গা দি থাকে, ইটো নহলে সিটো হব নোৱাবে আৰু ইটো নহলে সিটোব বিশেষত্ব ফুটি নোলায়। প্ৰধান আৰু সকহুবা চবিত্ৰ-বিলাক সদায় পৰস্পৰব অধীন, সিহঁতে সদায় নায়ক আৰু নায়িকাব চবিত্ৰ প্ৰস্ফুটিত কবি তোলাত সহায় কবে মাত্ৰ। সেইদেবে সামান্য ঘটনাবিলাক প্ৰধান ঘটনাব পবিপূৰ্ণতা সাধনত সহায়, সিহঁতব অকলে একো অৰ্থ নাথাকে। কালিদাসব শকুন্তলাত দুষন্ত নায়ক,আৰু শকুন্তলা নায়িকা। দুষন্তব লগত শকুন্তলাব পুনৰ্মিলন নাটকব প্ৰধান ঘটনা। ৰথ, অনসূয়া, প্ৰিয়ম্বদা, বিদূষক আদি সকলো সাধাৰণ চবিত্ৰ ; দুষন্তব আশ্ৰমত প্ৰবেশ, আশ্ৰমত বনবীয়া হাতী ওলোৱা, দুষন্তলৈ মাকৰ বাৰ্ত্তা, আঙ্গুঠি দান, দুৰ্ব্বাসাব অভিশাপ, দুষন্তব স্বৰ্গযাত্ৰা আদি সামান্য ঘটনা। এই বিলাকব নিজব অকলে একো অৰ্থ নাই ; সকলোৱেই নায়ক-নায়িকাব চবিত্ৰ ফুটাই তোলাত আৰু দুষন্ত-শকুন্তলাব পুনৰ্মিলন হোৱাত সহায় কবিছে মাত্ৰ। নাটকত কিছুমান কথা আৰু ঘটনা বাদ দিয়া হয়। ইয়াব কাবণ সকলো কথা আৰু সকলো ঘটনা নাটকত দেখুৱাবলৈ হলে নাটক বব ডাঙৰ হয় আৰু অভিনয় কবাত সময় বেছি লাগে।

শকুন্তলাব আবম্ভবপবা শেষলৈ প্ৰায় দহ বছব। এই দহ বছবব প্ৰত্যেক কথা আৰু প্ৰত্যেক ঘটনা দেখুৱা অসম্ভব আৰু অনাবশ্যক। নাটক এনে ঠাইতে আবম্ভ কবা হয় যাবপবা তাব পবিপূৰ্ণতা সাধনত কোনো ব্যাঘাত নজন্মে। তাব আগব সকলো কথা বাদ দিয়া হয় আৰু কোনো কথা আবশ্যক বুজিলে তাক কোনো চবিত্ৰব মুখেবে প্ৰকাশ কবা হয়। নাটকব মাজতো, যিবিলাক ঘটনাই প্ৰধান ঘটনাব কোনো সহায় নকবে তাক বাদ দিয়া হয়। কিছুমান ঘটনা আছে যিবিলাক আবশ্যকীয়, অথচ অভিনয় কবি দেখুৱাব নোৱাবিঁ। এইবিলাক ঘটনাব বাতৰি মাত্ৰ দিয়া হয়। কোনো সময়ত আবশ্যক মতে এটা ঘটনাবপবা জঁপ মাবি আন এটা ঘটনাত ধবা হয় ; মাজতে অনেক কাল আৰু অনেক ঘটনা সামান্য বাতৰি মাত্ৰ দি বা একেবাবে একো নোকোৱাকৈয়ে বাদ দিয়া হয়। এই খিনিত পঢ়োতাই বা অভিনয় চাওঁতাই নিজে কিছু ভাবিব লাগে আৰু নিজে ছয়োটা ঘটনা জোৰাই লব লাগে। নাট্যকাবে সকলো কথা দেখুৱাই বা কৈ নিদিয়ে আৰু দিবও নোৱাবে। দৰ্শক বা পাঠকসকলেও কিছুদূব নিজব চিন্তাশক্তি প্ৰয়োগ কবিব লাগে। শকুন্তলাব তৃতীয় অঙ্কব শেষত দুষন্তই শকুন্তলাব ওচবত বিদায় ললে, চতুৰ্থ অঙ্কত দুষন্ত নাই। পঞ্চম অঙ্কত দুষন্তক আমি বাজসভাত দেখোঁ। মাজতে দুষন্ত কেনেকৈ আহিল ইত্যাদি কথা বাদ ; কাৰণ অনাবশ্যকীয়। যুদ্ধাদি ঘটনাও সামান্য বাতৰি মাত্ৰ দি বাদ দিয়া হয়। নাটকব ঘটনাবলীব গতি বব দ্ৰুত ; আৰু দ্ৰুতগতিবে ইটো ঘটনাবপবা সিটোলৈ গৈ নাটকে পবিপূৰ্ণতা লাভ কবে।

নাটক কিছুমান অঙ্কত বিভক্ত, সাধাৰণতে পাঁচোটা ; কিন্তু কেতিয়াবা ততাতৈকে বেছিও হয়। প্ৰত্যেক অঙ্কতে একোটা প্ৰধান ঘটনা থাকে ; কিন্তু ই আচল ঘটনাৰ অধীন। প্ৰত্যেক অঙ্ক কিছুমান দৃশ্য বা গৰ্ভাঙ্কত বিভক্ত। প্ৰত্যেক দৃশ্যত একোটা সাধাৰণ ঘটনা দেখুৱা হয়। এই সাধাৰণ ঘটনাবিলাকে প্ৰত্যেক অঙ্কব প্ৰধান ঘটনাব পবিপূৰ্ণতা সাধে। প্ৰত্যেক অঙ্কব প্ৰধান ঘটনা শেষ হলেই সেইখিনিতে অঙ্কও শেষ হয়, আৰু পিছব অঙ্কত এটা নতুন ঘটনাৰ সূত্ৰপাত হয়। প্ৰত্যেক দৃশ্যব আৰু প্ৰত্যেক অঙ্কব পাছত বহুত ঘটনা বাদ পবিব পাবে। দৃশ্য আৰু অঙ্কবিলাক এনেভাৱে দিয়া হয় যাতে পাছব ঘটনাটো জানিবলৈ দৰ্শক বা পঠকসকলব আগ্ৰহ জন্মে।

প্ৰত্যেক অঙ্কই পূৰ্ণতা লাভ কৰিব লাগে আৰু প্ৰত্যেক অঙ্কৰ শেষ গুৰু হব লাগে। যদি শেষডোখৰ লঘু হয় তেন্তে আগেয়ে যি হৈ যায় সেই সকলো লঘু হোৱাৰ নিচিনা হয়। নাটকৰ প্ৰধান ঘটনাৰ শেষ হলেই নাটকো শেষ হয়। শকুন্তলাৰ লগত দুষ্মন্তৰ পুনৰ্মিলনতেই শকুন্তলা শেষ; কাৰণ তাৰ পিছত কি হ'ল, কোৱা অনাৱশ্যক আৰু কোনেও জানিবলৈকো আগ্ৰহ নকৰে। যদি কোৱা হয়, বা যদি নাটক তাতকৈ আগ বাঢ়ে তেন্তে প্ৰধান ঘটনাৰ গুৰুত্ব কমি যাব। নাটক এনে এঠাইত শেষ হব লাগিব য'ৰপৰা আমি আৰু বেছি জানিবলৈ ইচ্ছা নকৰোঁ। সকলো ঘটনাকেই আৰু সকলো চৰিত্ৰকেই এটা সম্পূৰ্ণতা দিব লাগিব। যি ঘটনাই বা চৰিত্ৰই নাটকৰ প্ৰধান ঘটনাৰ পৰিপূৰ্ণতা সাধনত সহায় নকৰে সি নাটকত উলিওৱাৰ উপযোগী নহয়; সেই সকলোৱেই নিৰৰ্থক।

নাটকক সৌন্দৰ্য্যশালী কৰিবলৈ ভালেমান বস্তু লাগে। দৃশ্য আৰু অঙ্কবিলাক এনেকৈ দিব লাগে, যাতে আগলৈ কি হব জানিবলৈ সকলোৰে আগ্ৰহ থাকে। ঘটনাবিলাক সমান গতিৰে আগলৈ ধাবিত হব লাগে যাতে দৰ্শকে বা পাঠকে পাছলৈ ফিৰি চাবৰ আৱশ্যক নহয়। সকলো চৰিত্ৰ নিজ নিজ ঠাইত ফুটি উঠিব লাগে। চৰিত্ৰ অঙ্কন নাটকৰ প্ৰধান সৌন্দৰ্য্য। চৰিত্ৰবিলাক ভালকৈ ফুটি নুঠিলে নাটক সৌন্দৰ্য্যহীন হয়। যি চৰিত্ৰ যেনেকুৱা তাক কথা আৰু কামেৰে তেনেকৈ দেখুৱাব লাগে। ওথেলো প্ৰকৃতিৰ কোলাত ডাঙৰ দীঘল হোৱা মুৰ। সৰল মন, ভয় কি নাজানে, মিছা কি নাজানে। দুষ্ট ইয়াগোৱে কৈ দিলে ডেচডিমোনা অবিশ্বাসিনী। ওথেলোৱে তাকে বিশ্বাস কৰি ডেচডিমোনাক হত্যা কৰিলে। ওথেলোৱে ফাঁকি, মিছা, প্ৰবঞ্চনা আদি বস্তু সংসাৰত থকা বুলি জানিলে কেতিয়াও তেনেকৈ সৰলা বালিকাৰ বুকুত শাণিত ছুৰিকা বহুৱাবলৈ তৎক্ষণাৎ আগ নাবাঢ়িলহেঁতেন। এইদৰে চৰিত্ৰৰ বৈশিষ্ট্যই নাটকৰো বৈশিষ্ট্য। প্ৰত্যেক নাটকৰে একোটা লক্ষ্য (aim বা motiff) আৰু একোটা প্ৰধান ঘটনা থাকিব লাগে। প্ৰত্যেক কথাই আৰু প্ৰত্যেক ঘটনাই সেই লক্ষ্য আৰু প্ৰধান ঘটনালৈ আগ বাঢ়িব লাগে। 'মেক্‌বেথৰ' লক্ষ্য পাপপূৰ্ণ উগ্ৰ উচ্চ-অভিলাষৰ ভীষণ পৰিণাম; প্ৰধান ঘটনা মেক্‌বেথ আৰু লেডি মেক্‌বেথৰ শোক লগা মৃত্যু। নাটকৰ আৰু এটা সৌন্দৰ্য্য তাৰ ভাষা, ৰস আৰু অলঙ্কাৰ। প্ৰত্যেক চৰিত্ৰৰেই একোখন হৃদয় থাকিব লাগিব। আৰু কথা আৰু কামৰ দ্বাৰা এই হৃদয় উদঙাই দেখুৱাব লাগিব। চৰিত্ৰৰ হৃদয়ে দৰ্শকৰ বা পাঠকৰ হৃদয় স্পৰ্শ কৰিব পাৰিব লাগিব। চৰিত্ৰ হৃদয়স্পৰ্শী হোৱাৰ প্ৰধান উপায় ভাষা, ৰস আৰু অলঙ্কাৰ। ভাষা, ৰস আৰু অলঙ্কাৰ স্থানোপযোগী হব লাগে। যি ভাবত যি ভাষা, ৰস আৰু অলঙ্কাৰ লাগে তাক ঠিকমতে দিলেই নাটকৰ সৌন্দৰ্য্য বাঢ়ে। ৰজাই ৰজাৰ দৰে ভাবিব, কব আৰু কাম কৰিব লাগে; বীৰে বীৰৰ দৰে আৰু মগনীয়াই মগনীয়াৰ দৰে। সকলোৰে শেষত, নাটক স্বাভাৱিক হব লাগে। ঈশ্বৰসৃষ্টিক সম্পূৰ্ণৰূপে অনুকৰণ কৰাই সকলো কলাবিদ্যাৰ উদ্দেশ্য। এই উদ্দেশ্য নাটকত যিমানদূৰ সফল হয় সিমান ভাল। নোহোৱা নোপোজা কথাই বা যি কথাৰ ওপৰত মানুহৰ বিশ্বাস নাই, তেনে কথাই নাটকৰ সৌন্দৰ্য্য লাঘৱ কৰে।

নাট্যকাৰে মানৱজীৱন ভালকৈ জানিব লাগে। সেই কাৰণে তেওঁ নিজে মানৱ-জীৱনৰ সংস্পৰ্শলৈ আহিব লাগে। ৰজা-প্ৰজা, ধনী-দুখীয়া কোন কেনেকৈ থাকে, কোনে কেনেকৈ ভাবে আৰু অনুভৱ কৰে তাক নাট্যকাৰে সম্পূৰ্ণৰূপে জনা আৱশ্যক আৰু তাৰ লগতে জনা আৱশ্যক এই মহিমময়ী প্ৰকৃতিক। নাট্যকাৰৰ প্ৰধান গুণ সৰ্ব্বানুভূতিতা (myriad-mindedness)। তেতিয়া হলে নাটকে স্বাভাৱিকতা লাভ কৰে। নাট্যকাৰে যেতিয়া যি চৰিত্ৰ আঁকে, তেতিয়া সেইদৰে ভাবিব পাৰিব লাগে। যদি এটা দুখীয়া মগনীয়াৰ চৰিত্ৰ আঁকে তেন্তে তেতিয়া তেওঁ নিজে সেই মগনীয়াৰ দৰে অনুভৱ কৰিব পাৰিব লাগে। ষ্টেজ আৰু দৰ্শকমণ্ডলীৰ বিষয়ে নাট্যকাৰৰ বিশেষ অভিজ্ঞতা থকা উচিত। যিটো ঘটনা ষ্টেজত উলিওৱা টান, তাক নাটকতো উলিওৱা অনাৱশ্যক। প্ৰবেশ, প্ৰস্থান, স্থিতি, নেপথ্য আদি

নাট্যকাৰে মনে মনে অভিনয় কৰিও যাব লাগে। দৰ্শক বহুত ৰকমৰ থাকে। কিছুমান আহে চৰিত্ৰ অধ্যয়ন কৰিবলৈ; কিছুমানে নাটকৰ কি চাব লাগে জানে, কিছুমানে নাজানে; কিছুমান আহে সাধাৰণ স্ফূৰ্ত্তিৰ কাৰণে; সিহঁতৰ গভীৰভাৱে চিন্তা কৰি অভিনয় চাবলৈ শক্তি নাই। এই সকলো বিধৰ মানুহকেই নাট্যকাৰে সন্তোষ দিব লাগিব। এই কাৰণে নাটকত খুহুতীয়া চৰিত্ৰৰ আৱশ্যক। বিজ্ঞ দৰ্শকমণ্ডলীকো সময়ত এনে চৰিত্ৰ লাগে; কাৰণ তেওঁলোকৰ মন মাজে মাজে পাতলাবৰ আৱশ্যক। কিন্তু খুহুতীয়া চৰিত্ৰও এনেভাৱে দিব লাগিব যাতে সিও প্ৰধান ঘটনাৰ সহায় কৰে বা কোনো প্ৰধান চৰিত্ৰক প্ৰস্ফুটিত কৰি তোলে। 'অভিৰূপ ভূমিষ্ঠা পৰিষৎ' সদায় সকলো ঠাইতে পোৱা অসম্ভৱ। নাট্যকাৰ কেতিয়াও দৰ্শক বা পাঠকসকলৰ আগলৈ ওলাই আহিব নালাগে; নিজৰ মত নাট্যকাৰে কেতিয়াও কোনো চৰিত্ৰৰ মুখেৰে বা আন কোনো ৰকমে প্ৰকাশ নকৰাই বাঞ্ছনীয়। নাট্যকাৰে নাটক লিখোতে ধৰি লব লাগিব দৰ্শক বা পাঠকে নাটকৰ ঘটনাৰ বিষয়ে একো নাজানে কথা আৰু কামেৰে সকলো ঘটনা নাট্যকাৰে জনাব লাগিব আৰু বাদ দিয়া বিলাকো এনেকৈ বাদ দিব লাগিব যাতে তাক সহজে ভাবি উলিয়াব পাৰি। ইয়াকো চাব লাগিব যেন ঘটনাবিলাকৰ ক্ৰম ভঙ্গ নহয়। ইটো ঘটনাৰ লগত সিটোৰ সম্বন্ধ থাকিব লাগিব; ঘটনাবিলাক মালাৰ নিচিনাকৈ গঁথা হব লাগিব। নাটক বেছি ডাঙৰ হব নালাগে। একে বহাই দৰ্শকসকলে আমনি নলগাকৈ তাৰ অভিনয় চাব পাৰিলেই নাটকৰ আকৃতি সুন্দৰ হয়।

মানৱ জীৱনত যেনেকৈ কথা আৰু কাম দুয়োটা লগে লগে থাকে তেনেকৈ নাটকতো কথা আৰু কাম দুয়োটা লগে লগে থকা উচিত। কথা আৰু কামৰ সামঞ্জস্য নাথাকিলে নাটকে আকৰ্ষণী শক্তি নাপায়। অকল কথাকে শুনি থাকিবলৈ বা অকল ভঙ্গীকে (action) চাই থাকিবলৈ মানুহৰ কেতিয়াও ভাল নালাগে। ভঙ্গী বেছি থাকিলে নাটকৰ গতি দ্ৰুত হয় আৰু মানুহেও সহজে কথাটো বুজিব পাৰে। বচনবিলাক সাধাৰণতে চুটী হোৱা আৱশ্যক; দীঘলীয়া বক্তৃতা শুনি থাকিবলৈ দৰ্শকৰ ধৈৰ্য্য নাথাকে। নাট্যকাৰে চাব লাগিব দৰ্শকৰ যেন কোনো সময়তে ধৈৰ্য্যচ্যুতি নহয়। স্থান বিশেষে বচন দীঘল হয়, কিন্তু সিও বেছি দীঘল হোৱা অনুচিত।

নাটকত অনেক ৰকম চৰিত্ৰ উলিওৱা হয়। তাৰে কিছুমানে প্ৰধান ঘটনাৰ পৰিপূৰ্ণতা সাধে আৰু কিছুমানে আন কিছুমান চৰিত্ৰৰ বিশেষত্ব ফুটাই তোলে। উভয় ৰকম চৰিত্ৰৰেই আৱশ্যক। বুৰঞ্জীমূলক নাটকবিলাকত বুৰঞ্জীমূলক প্ৰধান চৰিত্ৰবিলাকৰ বাহিৰেও অনেক কাল্পনিক চৰিত্ৰৰ অৱতাৰণা কৰা হয়। এইবিলাকে প্ৰধান ব্যক্তিবিলাকৰ চৰিত্ৰ প্ৰস্ফুটিত কৰাত সহায় কৰে। এইবিলাক নাটকৰ গাত ৰহণৰ নিচিনা; কাজেই আৱশ্যকীয়। বুৰঞ্জীমূলক চৰিত্ৰবিলাকত বুৰঞ্জীৰপৰা বেছি আঁতৰি যোৱা অনুচিত। নাটকত আৰু কিছুমান ভিতৰুৱা নিয়ম মানি চলা হয়। সেইবিলাক নিয়ম সৌন্দৰ্য্যগ্ৰাহী, স্বাধীন আৰু বিবেকসম্পন্ন মনে আপোনা-আপুনি কৈ দিয়ে। সেই কাৰণে বেলেগ নাটকত বেলেগ নিয়মে আৰম্ভ, উত্থান, পতন আৰু শেষ হয়। ওপৰত কৈ অহাবিলাক সাধাৰণ নিয়ম মাত্ৰ।

———

বৈজ্ঞানিক জগত

বৈজ্ঞানিক মাইকেল ফেৰাডে

ইং ১৮৩১ খৃষ্টাব্দত মাইকেল ফেৰাডেই "ইলেকট্ৰো মেগনেটিক ইনডাকশ্যন" আবিষ্কাৰ কৰিছিল। তেওঁৰ



বৈজ্ঞানিক মাইকেল ফেৰাডে

আবিষ্কাৰৰ ফলতে আজি ব্ৰডকাষ্টিং "ৰেডিও টেলিফোনি," আৰু "টেলিভিশ্যন" আদি সম্ভৱ হৈছে। লগৰ ছবিবিলাক তেওঁ পৰীক্ষা আৰু গৱেষণা কৰা কালত নিজ হাতেৰে সজা আহিৰ।



ব্লেণ্ডফোৰ্ড ষ্ট্ৰীটৰ এই ঘৰতে মাইকেল ফেৰাডে এজন দপ্তৰীৰ এপ্ৰেণ্টিচ আছিল।



ৰুবু নামে ব্লেণ্ডফোৰ্ড ষ্ট্ৰীটৰ ই এখন কিতাপৰ দোকান। মাইকেল ফেৰাডে এই দোকানত থাকোতে এখন এনচাইক্লোপিডিয়াৰ এটা প্ৰবন্ধ পঢ়ি "ইলেকট্ৰিচিটি" প্ৰতি তেওঁৰ প্ৰথম আগ্ৰহ জন্মিছিল।



মাইকেল ফেৰাডেৰ বিখ্যাত আবিষ্কাৰ "হৰ্স-ৰু ইলেক্ট্ৰো মেগনেট"। ফেৰাডেৰ এই আবিষ্কাৰেই বৰ্ত্তমান সভ্যজগতৰ তেজমঙ্গহ বুলিব পাৰি।

ফেৰাডেৰ দ্বাৰা উন্নত খাপলৈ অনা যন্ত্ৰবিলাক



ৰাওঁহাতৰ পৰা সোঁহাতলৈ :—কন্‌ডেন্‌সেশ্যন পাম্প, ইলেকট্ৰোলিচিচ যন্ত্ৰ (একেবাৰে সোঁফালৰটোও), গ্ৰেট ৰিং মেগনেট আৰু স্পেচিফিক ইনডাক্‌টিভ কেপাচিটি যন্ত্ৰ।

ফেৰাডেৰ আন আন যন্ত্ৰবিলাক



ৰাওঁফালৰ পৰা :—এস্থেটিক গেলভেনোমিটাৰ, ইন-ডাকটৰ চিল, চোলেনইড ফৰ ইনডাকশ্যন, কম্পাউণ্ড হেলিক্স ফৰ ইলেকট্ৰো মেগনেটিক ইন্‌ডাক্‌শ্যন আৰু স্পাৰ্কলিং চিল।

ৰেডিওৰ ভিতৰেদি দেখিবলৈ পোৱা



ডাঃ ই, এফ, ডব্লিউ আলেকজেণ্ডাৰসন নামেৰে বিখ্যাত বৈজ্ঞানিক এজনৰ কৃপাত বহু দূৰ দেশৰ কোনো দৃশ্যও, তাৰ কথা শুনাৰ লগে লগে, চাবলৈ সক্ষম কৰিবৰ দিহা হৈছে। এই ছবিত ডাঃ আলেকজেণ্ডাৰসনে তেওঁৰ আবিষ্কৃত যন্ত্ৰৰ এখন আৰ্চিৰপৰা প্ৰতিফলিত হোৱা সাত ৰঙৰ পোহৰ আঙুলিয়াই দেখুৱাইছে। এই পোহৰেই তেওঁৰ আবিষ্কাৰৰ মূল বস্তু।

টেলিফোনেৰে দেখিবলৈ পোৱা



ফৰাচী বৈজ্ঞানিক এজনৰ আবিষ্কাৰৰ ফলত যি মানুহজনৰ লগত টেলিফোনেৰে কথা পতা হয় সেইজনক দেখিবলৈ পোৱা যায়।

বিবিধ

চান-জাপানৰ সংঘৰ্ষ

চীন আৰু জাপানৰ মাজত যি ভীষণ সংঘৰ্ষ হৈছে, তাৰ ফলত আকৌ এখন ডাঙৰ যুদ্ধ হবৰ সম্ভাৱনা দেখা গৈছে। জেনেভাৰ লীগ্ অৱ নেশ্যন্সে ছুয়ো পক্ষকে বুজাই-বঢ়াই কোনো প্ৰকাৰে সৈমান কৰিব নোৱাৰি, অৱশেষত এই বিষয়ে তদন্ত কৰিবলৈ এটি কমিশ্যন নিযুক্ত কৰিছে, আৰু লৰ্ড লিটন এই কমিশ্যনৰ সভাপতি নিযুক্ত হৈছে। কৃতকাৰ্য্যতাৰ ওপৰত চীন-জাপানৰ ভবিষ্যৎ মিলা-প্ৰীতি বহুখিনি নিৰ্ভৰ কৰিছে।

ক্ৰীকেট খেলোৱাৰ ডুলীপ সিং

বিখ্যাত ক্ৰীকেট খেলোৱাৰ ডুলীপ সিংজীৰ নাম আজি পৃথিবীৰ কোনো দেশে নজনা নাই। তেওঁ নিজৰ এই নৈপুণ্য গুণেৰে বিলাতৰ চাচেক্স নগৰৰ বিখ্যাত খেলোৱাৰ দলৰ কেপ্টেইন হব পাৰিছে। ডুলীপ সিং অলপতে ভাৰতলৈ আহিছিল। এই প্ৰসঙ্গত তেওঁ কৈছে যে অহা বছৰ যেতিয়া ভাৰতীয় খেলোৱাৰৰ দল এটি বিলাতলৈ যাব, তেতিয়া চাচেক্সৰ কেপ্টেইন, নথকা হৈতেন তেন্তে। ভাৰতৰ পক্ষে খেলিলেহেঁতেন, কিন্তু বৰ্ত্তমান অৱস্থাত তেওঁ ইংলণ্ডৰ পক্ষেহে খেলিবলৈ বাধ্য হব।

ভাৰতীয় ক্ৰীকেট খেলোৱাৰ-দল

অহা এপ্ৰিল মাহৰ ৯ তাৰিখে "ভাইছৰয় অৱ ইণ্ডিয়া" জাহাজত ভাৰতীয় ক্ৰীকেট খেলোৱাৰসকলৰ দল এটি বোম্বেৰপৰা বিলাতলৈ যাত্ৰা কৰিব, আৰু তাত গৈ নানা ঠাইত খেল খেলি সেই একেখন জাহাজতে চেপ্টেম্বৰৰ তৃতীয় সপ্তাহত ঘুৰি আহিবৰ কথা আছে।

প্ৰথম ভাৰতীয় নাবিক

কৰাচী পোৰ্ট ট্ৰাষ্টে কেবাদিনো একেবাহে আলোচনা কৰাৰ পিছত ঘোৱা ২৩ অক্টোবৰ তাৰিখে মিঃ টি-টি ভোষল বোলা মুছলমান প্ৰাৰ্থী এজনক নাবিকৰ পদ এটিত নিযুক্ত কৰিছে। ইয়াৰ আগেয়ে ভাৰতত কোনো ভাৰতীয়ক এই পদত নিযুক্ত কৰা নাছিল।

বৈজ্ঞানিকৰ শূন্যগতি

অধ্যাপক পিকার্ডে আজি বহুদিনৰ পৰা চেষ্টা কৰি ঘোৱা বছৰ মেই মাহত এটি বেলুনত উঠি দহ মাইল ওপৰলৈ উৰি গৈছিল। কিন্তু কেতবোৰ অসুবিধা হোৱাত তেওঁ আৰু বেছি ওপৰলৈ উধাব নোৱাৰিলে। এই বাৰ জহকালিমানত তেওঁ আকৌ এবাৰ চেষ্টা কৰি চাব খুজিছে। তেওঁৰ লগত এইবাৰ এজন বেলজিয়ান চালক আৰু এজন বেলজিয়ান ডাক্তৰ থাকিব। অধ্যাপক পিকার্ডৰ বিশ্বাস যে তেওঁ এই বাৰৰ চেষ্টাত দহ মাইলতকৈ বহুত ওপৰলৈ যাব পাৰিব।

ভাৰতত জাপানী জোতা

সস্তা হোৱা হেতু কিমান যোৰ জাপানী জোতা ভাৰতলৈ আহিছে, তাৰ হিচাপ।—

১৯২৬-২৭	১৯১৫০০০	যোৰ
১৯২৭ ২৮	২৭৭৩০০০	"
১৯২৮-২৯	৩৩২০০০০	"
১৯২৯-৩০	৬৭৬১০০০	"
১৯৩০-৩১	১০২২১০০০	"

১৯৩১ চনৰ এপ্ৰিলৰপৰা ডিছেম্বৰলৈ আহিছে ৭৩০৪০০০ যোৰ।

চীনত দস্যুতাই কৰা হানি

চীনৰ বিপোৰ্টপৰা জানিব পাৰি, ঘোৱা দুবছৰত হুবিউপো প্ৰদেশত দস্যুবোৰৰ হাতত ১ লাখ ৬৯ হাজাৰ মানুহ মৰিছে, ৯ লাখ ৪৬ হাজাৰ মানুহ নিৰুদ্দিষ্ট হৈছে, ৩লাখ ১০ হাজাৰ ঘৰ পোৱা গৈছে আৰু ৭৮ হাজাৰ মানুহ টকা আদায়ৰ বাবে বন্দী হৈছে। মুঠ ক্ষতিৰ পৰিমাণ প্ৰায় ১৫ কোটি টকা।

মানুহৰ জন্ম *

—শ্ৰীযুত সুশীলকুমাৰ বৰুৱা

কেবছৰমানৰ আগতে মিলনত "প্ৰাক্-ঐতিহাসিক মানুহ" বুলি এটি প্ৰবন্ধ লিখিছিলোঁ। তাত যি যি ঠাইত প্ৰাক্-ঐতিহাসিক মানুহৰ বুলি যি যি অস্থি পোৱা গৈছে তাৰহে মাণোন এটি সংক্ষিপ্ত তালিকা দিয়া হৈছিল। সেই অস্থিবোৰৰ আধুনিক মানুহৰ লগত কিমান সাদৃশ্য আৰু মানুহৰ ক্ৰমবিকাশৰ লগতেইবা ইয়াৰ কিমান সম্বন্ধ তাকে সাধ্যমত দেখুৱাবলৈ চেষ্টা কৰিম। মূল প্ৰবন্ধ আৰম্ভ কৰাৰ আগেয়ে দুষাৰমান সময় নিৰ্গয় বিষয়ে কব লাগিব।

যুগনিৰ্গয়

ভূতাত্ত্বিকসকলে পৃথিবীৰ আয়ুস নিৰ্গয় কৰিছে। আয়ুস বুলিলে আমি সাধাৰণতে জন্মৰ পৰা মৃত্যুলৈকে এই সময়-খিনিকে বুজোঁ। ইয়াত কিন্তু সেইটো নেথাকিব, কাৰণ যি ভাবি আমি আয়ুস বুলিছোঁ, সেই ভাবত পৃথিবী আজিও জীয়াই আছে আৰু জীয়াই থাকিব, যেতিয়ালৈকে পৃথিবীৰ বৰ্ত্তমান গড়ন আৰু অৱস্থা থাকে।

পৃথিবীৰ জন্ম-বিষয়ক আধুনিক অনুমান অনুসাৰে কৰা গণনামতে পৃথিবীৰ বয়স ১৬০ কোটি বছৰৰ কম আৰু ৩০০ কোটি বছৰৰ বেছি হব নোৱাৰে। দুয়োটা মুখকে এৰি দুশ কোটি বছৰকে আমি এটি যুক্তিসঙ্গত পৰিমাণ বুলি ধৰিব পাৰোঁ। বছৰৰ ইমান তাৰতম্য দেখি আচৰিত হবৰ একো কাৰণ নাই; বছৰৰ হিচাপত মিনিট, চেকেণ্ড যেনে সময়ৰ হিচাপতো এনে শ কোটি বছৰো একে।

পৃথিবীৰ এই অতীত কালটোক আমি চাৰি ভাগত বিভক্ত কৰিছোঁহঁক। কিয় কৰিছোঁ, এই প্ৰশ্ন সুমুখি থিৰকৈ বিশ্বাস কৰি লোৱাই সপ্ততি উজু পথ হব; কিয়নো শাম্বুক, শঙ্খ আদিয়ে এই যুগতে বৃহদাকৃতি লয়। আৰু কিম্ভূত-কিমাকাৰ উভচৰবোৰো এই যুগৰে। ডুমাৰ লগীয়া জুই ডুমডুমাই এই প্ৰশ্নৰ সবিশেষ উত্তৰ দিবলৈ ইয়াত ঠাইৰ নাটনি,

প্ৰথমটোক Azoic	প্ৰাণীহীন অৱস্থা
দ্বিতীয়টোক Palaeozoic	প্ৰাণীজগতৰ আদি অৱস্থা
তৃতীয়টোক Mesozoic	প্ৰাণীজগতৰ মধ্যাৱস্থা
চতুৰ্থটোক Cenozoic	প্ৰাণীজগতৰ আধুনিক অৱস্থা বোলে

ওপৰত ভাগ কেইটাৰ কথা কওঁতে প্ৰাণীজগতৰ আদি, মধ্য আৰু আধুনিক অৱস্থা বুলিছোঁ। এই কথাটো আয়ত্ত কৰিবলৈ এইটো জনা উচিত যে পৃথিবীৰ আজিৰ প্ৰাণীজগত চিৰকাল এনে নাছিল। নবহলাই কওঁ, জন্মতে পৃথিবীৰ ওপৰত কোনো প্ৰাণী নাছিল; তাৰ পাছতহে প্ৰাণীৰ আবিৰ্ভাব। এই প্ৰাণীহীন অৱস্থাটোকে জীৱহীন বা azoic বোলা হৈছে।

জীৱৰ প্ৰাৰম্ভণত পৃথিবীত নিচেই নামনি খাপৰ প্ৰাণীবহে বাস আছিল। ইয়াৰ সাদৃশ্য পৃথিবীত সপ্ততি নাই বুলিলেই হয়। ক্ষুদ্রাতিক্ষুদ্র জীৱৰ পৰা আৰম্ভ কৰি শাম্বুক, শঙ্খ, মাছ, উভচৰ, গৰু-গছনিল এই যুগতে আবিৰ্ভাব হয়। এই যুগৰ ভূস্তৰতে কয়লাও পোৱা যায়। এই যুগৰ বিস্তৃতি ৫০ কোটি বছৰৰ পৰা ১৮ কোটিলৈকে হব। এই যুগক প্ৰাণীজগতৰ আদি যুগ বা Palaeozoic যুগ বোলা হয়।

ইয়াৰ পাছত mesozoic যুগ বা প্ৰাণীজগতৰ দৈত্য-যুগ। Mesozic যুগ প্ৰাণীজগতৰ মধ্য যুগ। ইয়াক প্ৰাণীজগতৰ দৈত্য-যুগ বুলিব পাৰি; কিয়নো শাম্বুক, শঙ্খ আদিয়ে এই যুগতে বৃহদাকৃতি লয়। আৰু কিম্ভূত-কিমাকাৰ উভচৰবোৰো এই যুগৰে। ডুমাৰ লগীয়া জুই ডুমডুমাই

* মানুহৰ জন্মৰ পৰা

উঠাৰ দৰে শামুক, শঙ্খ আৰু উভচৰবোৰে এই যুগতে কিম্ভূত-কিমাকাৰ হৈ যুগৰ শেষ ভাগত প্ৰায়েই লোপ পালে। এই যুগৰ বিস্তৃতি ১৮ কোটিৰ পৰা ছয় কোটিলৈকে। Mesozoic ৰ পাচত Cenozoic যুগ।

Cenozoic যুগৰ প্ৰাৰম্ভণতে আধুনিক প্ৰাণীজগতৰ আভাস। এই যুগৰ শেষভাগেই প্ৰাক্-ঐতিহাসিক কাল।

অনৌলিক হলেও তলত দিয়াৰ দৰেই Schuchertএ cenozoic যুগক বিভাগ কৰিছে। আজিকালিৰ জীৱিত শামুক আদিৰ পৰিমাণৰ হিচাপ লৈ এই কালবোৰ নিৰ্ণয় কৰা হৈছে। যেনে—তলৰ পৰা আৰম্ভ কৰি—

বিস্তৃতি কাল	আজিকালি জীৱিত শামুকৰ পৰিমাণ
Pleistocene	৯৯ৰ পৰা ১০০
১ কোটী বছৰৰ পৰা ৫ কোটী	
Pliocene	৫০ৰ „ ৯০
১ কোটী ৮০ লাখ বছৰৰ পৰা ১ কোটী	
Miocene	২০ৰ „ ৪০
৩ কোটীৰ পৰা ১ কোটী ৮০ লাখ	
Oligocene	১০ৰ „ ১৫
৬ কোটীৰ পৰা ৩ কোটী	
Eocene	১ৰ „ ৫

জাভা দ্বীপৰ অস্থি

জাভা-দ্বীপৰ অস্থিকে প্ৰাক্-ঐতিহাসিক মানুহৰ সৰ্ব্ব-প্ৰথম চিহ্ন বুলি দেখুৱাইছে। ১৮৯১ খৃঃ ডাঃ ইউজিন ডুবইচ নামে এজন ওলন্দাজ দৈনিক কৰ্ম্মচাৰীয়ে জাভা-দ্বীপৰ মাজ ভাগৰ ত্ৰিনিল নগৰৰ চ'ল নদীৰ দক্ষিণ পাৰত এটা লাওখোলাৰ ওপৰভাগ আৰু এটা গুবিদাঁত পায়। পাছৰ বছৰ প্ৰায় ৪২।৫০ ফুটমান আঁতৰত এদাল উকহাড় পায় আৰু এটা গুবিদাঁতো পায়। ইয়াৰ অলপ দিনৰ পাছতে আৰু এটা গুবিদাঁত পোৱা হয়। এই ঠাইতে আন জীৱ-জন্তুৰ বহুতো হাড় আগেয়ে আৰু পাছতো পোৱা হৈছে। ডাঃ ডুবইচে এই জীৱশেষবোৰ আজি ৪০ বছৰমানৰ আগতে বন্ধ কৰি থৈ দিছে আৰু কোনো বৈজ্ঞানিকক তাক পৰীক্ষা কৰিবলৈ দিয়া নাই। তাৰ উপৰিও তেওঁ কেবছৰমানৰ আগতে (১৯২২) জনাইছে যে ৪০ বছৰমানৰ আগতে বা PITHECANTHROPUS আবিষ্কাৰ কৰাৰ সময়তে আৰু আন আন মানুহৰ জকা সংগ্ৰহ কৰিছিল। লাওখোলাবোৰ এতিয়া জীয়াই থকা মানুহৰ লাওখোলাতকৈ বহুত ডাঙৰ। লাওখোলাতো পোৱা পাথৰৰ স্তৰ বিভাগৰ ভূতাত্ত্বিক সকলে Pliocene বা Pleistocene সময়ত পেলাইছে। ইউৰোপলৈ প্ৰথমতে আনোতে ইয়াক ১৯৯৫ খৃঃৰ ছেপ্টেম্বৰ মাহত লাইডেনত বহা প্ৰাণীতত্ত্ববিদ্ সকলৰ আন্তৰ্জাতিক সম্মিলনৰ তৃতীয় অধিবেশনত দেখুৱা হৈছিল। এই সভাৰ সভাপতি আছিল Dr. Rudolf Virchow । তেওঁ ত্ৰিশবছৰ বাৰ্লিন নৃতত্ত্ববিষয়ক সভাৰ সভাপতি আছিল।

হায়ডেলবাৰ্গত পোৱা চিবুক-চোৱাল

হায়ডেলবাৰ্গৰ ওচৰৰ মাএৰৰ এটা তৰং বালি-খনিত ১৯০৭ খৃঃত কেটামান দাঁতেৰে সৈতে এডাল চিবুক-চোৱাল পোৱা হয়। দাঁতপাৰি পোৱা স্তৰ মাটিপৰা প্ৰায় ৭৮ ফুট তলত। এই স্তৰ বিভাগৰ নাম দিয়া হৈছে প্ৰাক্-হিমধাৰিক বা Pre Glacial.

প্ৰফেচাৰ কিংথে কৈছে আগদাঁত, কুকুৰদাঁত আৰু আগৰ জামুদাঁতকিটা (incisors, canine and premolar) স্বাভাৱিক জোখ আৰু গড়ন। কিন্তু হাড়দাল বৰ গধুৰ আৰু ইয়াৰ ৰমাস দেখি এনেহে মনত হয়, ই নিজেই এক সুকীয়া শ্ৰেণী দখল কৰে। এই হাড়দালত খুঁতবিৰ কোনো চিন-চাৰ নাই। পাছত এই একে ৰালিস্তৰতে অলপ দূৰত মানুহে তৈয়াৰ কৰা বুলি কোৱা চোকা শিলৰ খণ্ড পোৱা বুলি কৈছে। ইয়াক Eoliths বুলি কোৱা হৈছে।

পিল্টডাউন লাওখোলা

বিলাতৰ চাচেক্সৰ পিল্টডাউনত ১৯১৩ খৃঃত এটা শিলগুটি স্তৰত লাওখোলা এটাৰ সৰহভাগ আৰু দাঁত-হাড় এডোখৰ পোৱা হৈছে। ইয়াক Eoanthropus

বোলা হৈছে। বহুতে ইয়াক ইউৰোপত এতিয়ালৈকে পোৱা জীৱশেষৰ ভিতৰত সকলোতকৈ পুৰণি বুলি কয়, বহুতে আকৌ ইয়াক হায়ডেলবাৰ্গত পোৱা অস্থাদিতকৈ পাছতহে ঠাই দিয়ে।

এই লাওখোলাটোক বহুতে প্ৰাকৃতিক গঢ় দিছে আৰু ইয়াত ৪৩ আউন্সমান মস্তিষ্ক আছিল বুলি কয়। আজি-কালিৰ মতা মানুহৰ মস্তিষ্কতকৈ ই অলপ কম কিন্তু তিৰোতাৰ সমানেই—তিৰোতা মানুহৰ মস্তিষ্ক কেৱল ৪৪ আউন্স। মস্তিষ্ককোষ বৰ ডাঠ আৰু মুখখন বৰ উজলাদাঁতা আছিল বুলি কয়। কপালখন ঠেক কিন্তু আজিকালিৰ মানুহৰ দৰেই থিয় আছিল। খুতৰি নাই আৰু গৰদীয়া আছিল। এই অংশবোৰ একোঠাইতে বা একে সময়তে পোৱা নাই। কিছুমান শৰৎকালত পোৱা হয় আৰু আন-বোৰ পিছৰ বছৰ বসন্ততহে পোৱা হৈছে। কিংথে ইয়াৰ কাল Pliocene বুলি কয়; কিন্তু স্মিথ উডৱার্ডে ইয়াৰ সময় Pleistocene বুলিছে কৈছে। কিংথে লাওখোলাটো তিৰোতা মানুহৰ বুলি কৈছে।

নিয়েনডেৰথাল লাওখোলা

১৮৫৭ খৃঃত লাওখোলাকে আদি কৰি জকা এটাৰ কিছু অংশ জাৰ্ম্মানীৰ এলবেকফল্ড ওচৰৰ নিয়েনডেৰথাল গুহাত ডাঃ ফুলৰটে পায়।

তেওঁৰ সময়লৈকে আবিষ্কাৰ কৰা লাওখোলাৰ ভিতৰত এইটোৱেই সকলোতকৈ বান্দৰ সদৃশ বুলি হায়ৰাণীয়ে কৈছিল। তেওঁ এই খোলাটো বহুত পুৰণা বুলি ভাবিছিল। মানুহৰ কোনো আহিলা বা লোপ পোৱা কোনো জন্তুৰ হাড় এই গুহাত পোৱা নাই। কোনো বৈজ্ঞানিকে এই অস্থি ইয়াত আবিষ্কাৰ কৰা নাই, কেৱল কেজনমান বছৰাই ইয়াক খানি উলিয়াইছিল। হব পাৰে বছৰা কেজনে কেৱল ডাঙৰ হাড় কেঙোলহে গোটালে। এনে অৱস্থাত কোনো বন্ধুৰে আনি হাড়-কেডাল ইয়াত প্ৰাক্-ঐতিহাসিক সময়ত পুতি থৈছিলহি নে বা নৈয়ে দুই আনি ইয়াত পেলাইছিলহি ইয়াৰ কোনো মীমাংসা কৰিব নোৱাৰি, সময়বো কোনো স্থিৰতা নাই।

Virchowৰে দেখি কৈছিল তেওঁ নিয়েনডেৰথাল মানুহৰ দৰে একেমুখৰে মানুহ ৰাস্তাত দেখিছে—আনে যদিও ওথ ভুক, হাড় আৰু দীঘল চেপেটা তালুখন লৈ আশ্চৰ্য্য কৰে। কিংথে কৈছে আয়তনত যদিও নিয়েনডেৰ-থাল মানুহৰ মগজু আধুনিক মানুহৰ সমান বা তাতোকৈ অধিক তথাপি আকৃতিত মানুহৰ লাওখোলাৰপৰা পোৱা মগজুৰ সাঁচৰ লগত ইয়াৰ মিল আছে।

১৮৮৬ খৃঃত বেলজিয়মৰ নেমাৰৰ ওচৰৰ স্পায় নগৰত পোৱা আৰু দুটা প্ৰায় সম্পূৰ্ণ জকাৰ পৰা ইয়াক নিৰ্দ্ধাৰণ কৰা হৈছে—ই এটা সুকীয়া জাতিয়েই আছিল।

ক্ৰ'মেগনন Dordogne Franceৰ ইয়াত পোৱা তিনটা উন্নত জকা ইমান পৰিস্ফুট আৰু মানুহৰ লগত ইহঁতৰ ইমান সাদৃশ্য যে বৈজ্ঞানিক সকলে ইয়াক ভূতাত্ত্বিক হিচাপে পুৰণি বুলি নেভাবেই। ইয়াৰ সময় upper Paleolithic বুলি কয়।

১৯২৬ চনত পিকিঙৰপৰা কেইমাইলমান দূৰত এটি গুহাৰ স্তৰত দুটা মানুহৰ দাঁত পোৱা গৈছে। এই বৰ পুৰণি দাঁত দুটা ৮ বছৰীয়া লৰাৰ।

ডাঃ জে, জি, এণ্ডাৰচন বুলি এজন চুইডেনদেশীয় মানুহে ১৯২৭ চনত আৰু এটা দাঁত পোৱা বুলি জনাইছে। Dr. Davidson Blackএ এই Sinanthropus বা পিকিং মানুহৰ বিষয় বাহুল্য কিতাপ লিখিছে।

ডাঃ এন্ড্রুজৰ মতে এই দাঁতটো Pithecanthropusৰ সমকালিক; কিজানি ই তাতোকৈ পুৰাতনীয়াকে। লগত থকা শিল হোৱা হাড় আদি আৰু ইয়াক পোৱা ভূস্তৰ চাই দাঁতটো পুৰাতনীয়া বুলি কব পাৰি।

মানুহৰ শৰীৰ আৰু আচাৰ ব্যৱহাৰৰ বিষয় গোট খাই থকা জ্ঞান সংগ্ৰহ কৰি চাৰ্লচ ডাৰৱিনে মানুহৰ লগত সাদৃশ্য থকা সকলো জন্তুৰ শৰীৰ আৰু আচাৰ ব্যৱহাৰ নিৰীক্ষণ কৰি পোৱা জ্ঞানৰ লগত বিজাই চায়। জৰাযুষ্থ জীৱসম্বন্ধীয় তেতিয়া জনা সকলো বুৰঞ্জী আন আন জন্তুৰ তেনে বুৰঞ্জীৰ লগত বিজাইছিল। আৰু কেনেকৈ মানুহৰ জীৱিত অণুপৰমাণুবোৰে ভেজ আৰু প্ৰকৃতিৰ প্ৰভাৱৰ লগত ব্যৱহাৰ কৰে তাকো চাইছিল।

এইবোৰকে আদি কৰি আৰু সৰু সৰু অনেক অবেক্ষণ কৰি ডাৰৱুইনে কৈছিল মানুহ কোনো মানুহ সদৃশ বান্দৰৰপৰা ক্ৰমান্বয়ে উন্নত হৈ মানুহ হৈছে। তেওঁ ভাবিছিল তেতিয়া এই গছডালিৰ গুৰিত বান্দৰ আৰু আগত মানুহ বা বান্দৰ প্ৰকৃতিৰ উন্নতিশীল উৎকৰ্ষণৰ প্ৰভাৱত আৰু স্বাভাৱিক জীৱনযুদ্ধত পৰি মানুহ হৈছে। মানুহক তেতিয়া তেওঁৰ জীৱন বুৰঞ্জী এনে বুলি কোৱাত তেওঁ উত্তৰ দিছিল যে তেওঁ তো বান্দৰ নহয়েই, তেওঁৰ পিতাকো বা ককাকো বান্দৰ নাছিল নাইবা তেওঁৰ উপৰি পুৰুষ কোনোবা বান্দৰ আছিল বুলি তেওঁলোকে নেজানিছিল।

যদি তেনেকুৱা কিবা হয়েই তেনেহলে তেওঁলোকক তাৰ প্ৰমাণ দেখুৱাবলৈ কলে। বৈজ্ঞানিক সকলেও কৈছিল যে এনে এটা অৱস্থা আছিল যেতিয়া মানুহ আৰু বান্দৰৰ বিবিধ বিশেষত্ববোৰ একেটা শৰীৰত প্ৰত্যক্ষ আছিল। কিন্তু তেওঁলোকে তেতিয়াও এইটো অৱস্থা বিচাৰি পোৱা নাই।

ঠিক কোন সময়ত এনে এবিধ জন্তু পৃথিবীত আছিল তেওঁলোকে কব নোৱাৰিছিল। আৰু কিয়বা বান্দৰে এনে গঢ় লৈছে তাকো কব নোৱাৰিছিল।

ডাৰৱুইন ১৮৮২ খৃঃত ধুকায়। আগত দি অহা বিৱৰণৰ পৰা দেখা যায়, Pithecanthropus আৰু আন আন অস্থিবোৰ তেওঁৰ মৃত্যুৰ পিছতহে আবিষ্কৃত হৈছে। এতেকে তেওঁৰ মৃত্যুৰ পিছত আমাৰ জ্ঞান এই বিষয়ে বহুত বাঢ়িছে।

কিথে কৈছে ডাৰৱুইনে মানুহৰ জন্মৰ বিষয় কৈ যোৱা আজি যদিও বহুত বছৰ হল তথাপি এই সুদীৰ্ঘ কালৰ অন্ততো তেওঁ কৈ যোৱা কথাৰ কোনো লৰচৰ হোৱা নাই, বৰঞ্চ তেওঁৰ মৃত্যুৰ পিছত আবিষ্কৃত হোৱা অশেষ অস্থি আদিয়ে তেওঁৰ স্থাপিত 'থিঅ'ৰি'ৰ গুৰি আৰু শকতহে কৰিছে অৱশ্যে; আমাৰ সৰল চিন্তাত তেতিয়া বহুত ভুল হৈছিল সঁচা।

পোনে পোনেই আমি এইটো ভাবি ভুল কৰিছোঁহক যে বান্দৰটো ক্ৰমান্বয়ে সালসলনি হৈ থিয়ৈ থিয়ৈ মানুহ হৈছে।

দ্বিতীয়তঃ, আজিকালি আমাৰ দিনত যেনেকৈ বগা কলা, শাও আৰু পিঙ্গল বৰণীয়া মানুহৰ বেলেগ বেলেগ জাতি আছে আগৰ দিনতো সেইদৰে আছিল।

আৰু এটা আমি ভুল কৰিছোঁহক যে এই ক্ৰমবিকাশত প্ৰত্যেকটো অঙ্গই একেলগে একে সময়তে ভাললৈ গঢ় সলাইছিল। দৰাচলতে কিন্তু এনে নহয়; প্ৰত্যেক অঙ্গই হয় তো বেলেগ বেলেগ সময়ত গঢ় লৰাইছিল, সদায় ভাললৈ নহবও পাৰে। কোনোটো লুকমাহে হৈ গৈছিল'

তাৰ উপৰিও ডাৰৱুইনৰ মৃত্যুৰ পাচত পোৱা Pithecanthropus Erectus নামৰ নৃশেষৰ বয়স ভূতাত্ত্বিক সকলে Pliocene দিছে।

ৰিডমুৰে পূৰ্ব্ব এংলিয়াত পোৱা আগঢ়ী শিলৰ আহিলা পাতিৰপৰাও মানুহ জাতিটোৰ স্থিতি এই কাললৈকেহে নিব পৰা হৈছে।

Pithecanthropus নামটোৱে 'বান্দৰ মানুহ' বুজায়। আৰু বহুতে ভাবে এই সময়ৰ আগতে এনে এবিধ প্ৰাণী বাস কৰিছিল যাক নৰ-বান্দৰ বা বান্দৰ-নৰ বুলিব পাৰি।

পিলগ্ৰিমে (Pilgrim) শৈবাল পৰ্ব্বতত (Siwalik hills) কাম কৰি দেখুৱাইছে যে হিমালয়ত মধ্য আৰু শেষ miocene কালত এবিধ বান্দৰ আছিল যাক তেওঁ Sivapithecus Indicus বুলিছে। তেওঁ কয়ই মানুহৰ ক্ৰমবিকাশৰ জখলাৰ এখোপ।

পিলগ্ৰিমৰ গবেষণাৰ ফল চাই কিথে কয় যে miocene কালৰ আৰম্ভণতেই মানুহৰ আদি গছৰ ফেৰেঙ্গনি মেলে।

ডাৰৱুইনৰ মৃত্যুৰ পাচত বিজ্ঞানৰো বহুত উন্নতি হৈছে। Prof. Nuttalএ উলিয়াইছে যে যি প্ৰাণী একেডাল গছৰে ঠালঠেঙুলি মাথোন সিহঁতৰ ওচৰ সম্বন্ধ সিহঁতৰ তেজৰ প্ৰতিক্ৰিয়াৰপৰা জানিব পৰা যায়।

মানুহ আৰু বান্দৰৰ মস্তিষ্কৰ সাদৃশ্য আছে। বান্দৰ আৰু মানুহৰ কেচুৱাৰ মাকৰ লগত সম্বন্ধ ৰখাৰ সাদৃশ্য আছে। উপ-অঙ্গবিলাকৰো সাদৃশ্য আছে।

'হৰমন'ৰ নীতিকে কিথে মানুহৰ বেলেগ বেলেগ জাতিৰ আবিৰ্ভূতিৰ কাৰণে দায়ী বুলি কয়। কিন্তু বান্দৰৰপৰা কিয় মানুহ হল তাৰ কোনো কাৰণ নেদেখুৱায় আৰু যি অস্থি পোৱা গৈছে সি যে মানুহৰেই তাৰ কোনো প্ৰমাণ নিদিয়ে। ডাৰৱুইনৰ লগত একেমত হোৱাত ইয়াকে বুজায় যে ডাৰৱুইনৰ প্ৰাকৃতিক প্ৰভাৱ আৰু জীৱন সংগ্ৰামকে তেওঁ এই ক্ৰমবিকাশৰ কাৰণ বুলি কব খোজে।

কালক্ৰমত এই ক্ৰমবিকাশ লৈ আমাৰ ভাবৰ সাল-সলনি ঘটিছে। মানুহ যে বান্দৰ-নৰ লঠামূৰীয়া গছডালৰ আগমূৰত সেইটো ধাৰণা লোপ পালে। সহজ কথাত কবলৈ গলে বান্দৰ যে আকৃতিৰ লৰচৰ বা ক্ৰমাগত সলনি হৈ মানুহ হৈছে এই বুলি বিজ্ঞজনে আজিকালি নেভাবে; কিন্তু বান্দৰ আৰু মানুহ একেডাল গছৰে ঠাল ঠেঙুলিহে। বিজ্ঞানৰ পোহৰত আৰু ভাবৰ ক্ৰমোন্নতিত পৰি ভাবুৱই সকলৰ বহুতেই তাকো পৰিত্যাগ কৰি কৈছে যে মানুহৰ গুৰিত মানুহেইহে; মানুহ কেতিয়াও বান্দৰ নাছিল।

আমেৰিকাৰ প্ৰাকৃতিক বুৰঞ্জীৰ যাদুঘৰৰ সভাপতি প্ৰফেচাৰ হেন্‌ৰি ফেয়াৰফিল্ড অ'চবৰ্ণে দক্ষিণ নেব্ৰাস্কাত বহুত হাড়ৰ সৰঞ্জাম আবিষ্কাৰ কৰিছে। এই হাড়ৰ বেজী হাতোৰা আদিবোৰ ঘোৰা, উট আৰু আন আন স্তন্যপায়ী জন্তুৰ পৃথিবীৰপৰা লোপ পোৱা কোনো কোনো বংশৰ জন্তুৰ হাড়েৰে তৈয়াৰী।

যি ভূস্তৰত হাড়ৰ এই সৰঞ্জামবোৰ পোৱা হৈছে তাৰ কাল ৪,০০০,০০০ বছৰ বুলি সম্প্ৰতি অস্থায়ীভাৱে ঠিক কৰা হৈছে।

যদি ইমান শতাব্দীৰ আগেয়ে মানুহ মানুহ হৈয়ে আছিল, আৰু বিধ বিধকৈ ১৮ বিধ হাড়ৰ সৰঞ্জাম গঢ় দি কৰি লব পাৰিছিল তেনেহলে এই বান্দৰৰপৰা মানুহ হোৱা সাধুকথাটো কি?

অ'চবৰ্ণে নেব্ৰাস্কাৰ মানুহক Pliocene কালৰ বুলিয়েই ক্ষান্ত হোৱা নাই, তেওঁ কৈছে সেই লোপ পোৱা জাতিৰ নিয়েনডেৰথালত পোৱা লাওখোলাটোৰ সূক্ষ্ম বিচাৰ কৰিলে ইয়াৰেহে প্ৰমাণ হয় যে এই লোপ পোৱা জাতিটোৰ শত সহস্ৰ পুৰুষ থিয় হৈ খোজ কাঢ়িছিল। হাত ভৰি আৰু গাৰ আন আন অঙ্গবিলাকো বান্দৰৰ নিচিনা হওক ছাৰি স্বভাৱতঃ মানুহৰ নিচিনাইহে আছিল।

তেওঁ দেখুৱাইছে মানুহৰ হাতৰ বুঢ়া আঙ্গুলিটো বেছি সংবৰ্দ্ধিত কিন্তু বান্দৰ তেনে নহয়। ই সৰুহে হৈ গৈছে সিহঁতৰ হাত আঁকোৰা। মানুহৰ ভৰিৰ বুঢ়া আঙ্গুলিটো আন আন আঙ্গুলিবোৰৰ সৈতে সমান্তৰাল, কিন্তু বান্দৰৰ ভৰিৰ বুঢ়া আঙ্গুলিটো, হাতৰ বুঢ়া আঙ্গুলিৰ দৰে বেও লোৱা।

সৌভাগ্যবশতঃ অ'চবৰ্ণে কয় যে Pithecanthropus নামটো ভুল। কিয়নো Pithecanthropus, এই গ্ৰীক শব্দটোৱে বুজোৱা বান্দৰ-নৰ নাছিল। মানুহৰ দৰে ভাবিব আৰু কথা কব পৰা আৰু থিয় দি খোজ কঢ়া অৰ্থাৎ Proman or Dawn man আগ মানুহ বা পুৱতি মানুহ হে আছিল। অৱশ্যে শেহত কোৱা এই কথাষাৰ কোৱা হৈছে জাভা দ্বীপত পোৱা লাওখোলাটোৰ মস্তিষ্কৰ সাঁচৰ লগত মানুহ আৰু বান্দৰৰ মস্তিষ্কৰ সাঁচ বিজাই চাইহে।

আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ স্নায়ুশাস্ত্ৰৰ অধ্যাপক ডাঃ ফ্ৰেডাৰিক টিলনিয়ে এই মস্তিষ্কত ভাব, কল্পনা, যুক্তি আৰু বাক্‌শক্তিৰ স্থানৰ উপস্থিতি ধৰিছে।

অ'চবৰ্ণে কৈছে মানুহসদৃশ বান্দৰৰ পৰা পৃথক মানুহৰ আদিপুৰুষৰ অন্ততঃ oligocne কালৰ আগ ভাগতো পাব। Prof. Barrellৰ প্ৰাক্-ঐতিহাসিক সময়ৰ জোখমতে ই ৪০, ০০০, ০০০ কোটি বছৰৰ আগত।

প্ৰফেচৰ অ'চবৰ্ণে আৰু কৈছে যে এই বান্দৰ-মানুহ থিঅ'ৰিটো মিছা আৰু ভ্ৰান্তিমূলক। আমাৰ সাহিত্য আৰু অনুসন্ধিৎসু ভাবৰ পৰা ইয়াক আতৰাই পেলাব লাগে, মনোজ্ঞ নহয় বুলিয়েই নহয়, বিশুদ্ধ বৈজ্ঞানিক কাৰণতহে। আৰু আমি এতিয়া আমাৰ প্ৰকৃত আদিমানুহ বিচাৰি উলিয়াবলৈ সাজি-পাৰি ওলাব লাগে।

আমি এতিয়া দেখিলো অচবৰ্ণে এই বান্দৰ-মানুহ থিওৰিটো নেমানে। সেই দেখি আমাৰ প্ৰশ্ন বান্দৰৰ পৰা মানুহ হোৱাৰ প্ৰয়োজন বা কেনেকৈ হল ইত্যাদি ইয়ালৈ আনিবই নোৱাৰি। আকৌ Pithecanhropus

এইবোৰকে আদি কৰি আৰু সৰু সৰু অনেক অবেক্ষণ কৰি ডাৰৱুইনে কৈছিল মানুহ কোনো মানুহ সদৃশ বান্দৰৰপৰা ক্ৰমান্বয়ে উন্নত হৈ মানুহ হৈছে। তেওঁ ভাবিছিল তেতিয়া এই গছডালিৰ গুৰিত বান্দৰ আৰু আগত মানুহ বা বান্দৰ প্ৰকৃতিৰ উন্নতিশীল উৎকৰ্ষণৰ প্ৰভাৱত আৰু স্বাভাৱিক জীৱনযুদ্ধত পৰি মানুহ হৈছে। মানুহক তেতিয়া তেওঁৰ জীৱন বুৰঞ্জী এনে বুলি কোৱাত তেওঁ উত্তৰ দিছিল যে তেওঁ তো বান্দৰ নহয়েই, তেওঁৰ পিতাকো বা ককাকো বান্দৰ নাছিল নাইবা তেওঁৰ উপৰি পুৰুষ কোনোবা বান্দৰ আছিল বুলি তেওঁলোকে নেজানিছিল।

যদি তেনেকুৱা কিবা হয়েই তেনেহলে তেওঁলোকক তাৰ প্ৰমাণ দেখুৱাবলৈ কলে। বৈজ্ঞানিক সকলেও কৈছিল যে এনে এটা অৱস্থা আছিল যেতিয়া মানুহ আৰু বান্দৰৰ বিবিধ বিশেষত্ববোৰ একেটা শৰীৰত প্ৰত্যক্ষ আছিল। কিন্তু তেওঁলোকে তেতিয়াও এইটো অৱস্থা বিচাৰি পোৱা নাই।

ঠিক কোন সময়ত এনে এবিধ জন্তু পৃথিবীত আছিল তেওঁলোকে কব নোৱাৰিছিল। আৰু কিয়বা বান্দৰে এনে গঢ় লৈছে তাকো কব নোৱাৰিছিল।

ডাৰৱুইন ১৮৮২ খৃঃত ধুকায়। আগত দি অহা বিৱৰণৰ পৰা দেখা যায়, Pithecanthropus আৰু আন আন অস্থিবোৰ তেওঁৰ মৃত্যুৰ পিছতহে আবিষ্কৃত হৈছে। এতেকে তেওঁৰ মৃত্যুৰ পিছত আমাৰ জ্ঞান এই বিষয়ে বহুত বাঢ়িছে।

কিথে কৈছে ডাৰৱুইনে মানুহৰ জন্মৰ বিষয় কৈ যোৱা আজি যদিও বহুত বছৰ হল তথাপি এই সুদীৰ্ঘ কালৰ অন্ততো তেওঁ কৈ যোৱা কথাৰ কোনো লৰচৰ হোৱা নাই, বৰঞ্চ তেওঁৰ মৃত্যুৰ পিছত আবিষ্কৃত হোৱা অশেষ অস্থি আদিয়ে তেওঁৰ স্থাপিত 'থিঅ'ৰি'ৰ গুৰি আৰু শকতহে কৰিছে অৱশ্যে; আমাৰ সৰল চিন্তাত তেতিয়া বহুত ভুল হৈছিল সঁচা।

পোনে পোনেই আমি এইটো ভাবি ভুল কৰিছোঁহক যে বান্দৰটো ক্ৰমান্বয়ে সালসলনি হৈ থিয়ৈ থিয়ৈ মানুহ হৈছে।

দ্বিতীয়তঃ, আজিকালি আমাৰ দিনত যেনেকৈ বগা কলা, শাও আৰু পিঙ্গল বৰণীয়া মানুহৰ বেলেগ বেলেগ জাতি আছে আগৰ দিনতো সেইদৰে আছিল।

আৰু এটা আমি ভুল কৰিছোঁহক যে এই ক্ৰমবিকাশত প্ৰত্যেকটো অঙ্গই একেলগে একে সময়তে ভাললৈ গঢ় সলাইছিল। দৰাচলতে কিন্তু এনে নহয়; প্ৰত্যেক অঙ্গই হয় তো বেলেগ বেলেগ সময়ত গঢ় লৰাইছিল, সদায় ভাললৈ নহবও পাৰে। কোনোটো লুকমাহে হৈ গৈছিল।

তাৰ উপৰিও ডাৰৱুইনৰ মৃত্যুৰ পাচত পোৱা Pithecanthropus Erectus নামৰ নৃশেষৰ বয়স ভূতাত্ত্বিক সকলে Pliocene দিছে।

ৰিডমুৰে পূৰ্ব্ব এংলিয়াত পোৱা আগঢ়ী শিলৰ আহিলা পাতিৰপৰাও মানুহ জাতিটোৰ স্থিতি এই কাললৈকেহে নিব পৰা হৈছে।

Pithecanthropus নামটোৱে 'বান্দৰ মানুহ' বুজায়। আৰু বহুতে ভাবে এই সময়ৰ আগতে এনে এবিধ প্ৰাণী বাস কৰিছিল যাক নৰ-বান্দৰ বা বান্দৰ-নৰ বুলিব পাৰি।

পিলগ্ৰিমে (Pilgrim) শৈবাল পৰ্ব্বতত (Siwalik hills) কাম কৰি দেখুৱাইছে যে হিমালয়ত মধ্য আৰু শেষ miocene কালত এবিধ বান্দৰ আছিল যাক তেওঁ Sivapithecus Indicus বুলিছে। তেওঁ কয়ই মানুহৰ ক্ৰমবিকাশৰ জখলাৰ এখোপ।

পিলগ্ৰিমৰ গবেষণাৰ ফল চাই কিথে কয় যে miocene কালৰ আৰম্ভণতেই মানুহৰ আদি গছৰ ফেৰেঙ্গনি মেলে।

ডাৰৱুইনৰ মৃত্যুৰ পাচত বিজ্ঞানৰো বহুত উন্নতি হৈছে। Prof. Nuttalএ উলিয়াইছে যে যি প্ৰাণী একেডাল গছৰে ঠালঠেঙুলি মাথোন সিহঁতৰ ওচৰ সম্বন্ধ সিহঁতৰ তেজৰ প্ৰতিক্ৰিয়াৰপৰা জানিব পৰা যায়।

মানুহ আৰু বান্দৰৰ মস্তিষ্কৰ সাদৃশ্য আছে। বান্দৰ আৰু মানুহৰ কেচুৱাৰ মাকৰ লগত সম্বন্ধ ৰখাৰ সাদৃশ্য আছে। উপ-অঙ্গবিলাকৰো সাদৃশ্য আছে।

'হৰমন'ৰ নীতিকে কিথে মানুহৰ বেলেগ বেলেগ জাতিৰ আবিৰ্ভূতিৰ কাৰণে দায়ী বুলি কয়। কিন্তু বান্দৰৰপৰা কিয় মানুহ হল তাৰ কোনো কাৰণ নেদেখুৱায় আৰু যি অস্থি পোৱা গৈছে সি যে মানুহৰেই তাৰ কোনো প্ৰমাণ নিদিয়ে। ডাৰৱুইনৰ লগত একেমত হোৱাত ইয়াকে বুজায় যে ডাৰৱুইনৰ প্ৰাকৃতিক প্ৰভাৱ আৰু জীৱন সংগ্ৰামকে তেওঁ এই ক্ৰমবিকাশৰ কাৰণ বুলি কব খোজে।

কালক্ৰমত এই ক্ৰমবিকাশ লৈ আমাৰ ভাবৰ সাল-সলনি ঘটিছে। মানুহ যে বান্দৰ-নৰ লঠামুৰীয়া গছডালৰ আগমুৰত সেইটো ধাৰণা লোপ পালে। সহজ কথাত কবলৈ গলে বান্দৰ যে আকৃতিৰ লৰচৰ বা ক্ৰমাগত সলনি হৈ মানুহ হৈছে এই বুলি বিজ্ঞজনে আজিকালি নেভাবে; কিন্তু বান্দৰ আৰু মানুহ একেডাল গছৰে ঠাল ঠেঙুলিহে। বিজ্ঞানৰ পোহৰত আৰু ভাবৰ ক্ৰমোন্নতিত পৰি ভাবুৱই সকলৰ বহুতেই তাকো পৰিত্যাগ কৰি কৈছে যে মানুহৰ গুৰিত মানুহেইহে; মানুহ কেতিয়াও বান্দৰ নাছিল।

আমেৰিকাৰ প্ৰাকৃতিক বুৰঞ্জীৰ যাদুঘৰৰ সভাপতি প্ৰফেচাৰ হেন্‌ৰি ফেয়াৰফিল্ড অ'চবৰ্ণে দক্ষিণ নেব্ৰাস্কাত বহুত হাড়ৰ সৰঞ্জাম আবিষ্কাৰ কৰিছে। এই হাড়ৰ বেজী হাতোৰা আদিবোৰ ঘোৰা, উট আৰু আন আন স্তন্যপায়ী জন্তুৰ পৃথিবীৰপৰা লোপ পোৱা কোনো কোনো বংশৰ জন্তুৰ হাড়েৰে তৈয়াৰী।

যি ভূস্তৰত হাড়ৰ এই সৰঞ্জামবোৰ পোৱা হৈছে তাৰ কাল ৪,০০০,০০০ বছৰ বুলি সম্প্ৰতি অস্থায়ীভাৱে ঠিক কৰা হৈছে।

যদি ইমান শতাব্দীৰ আগেয়ে মানুহ মানুহ হৈয়ে আছিল, আৰু বিধ বিধকৈ ১৮ বিধ হাড়ৰ সৰঞ্জাম গঢ় দি কৰি লব পাৰিছিল তেনেহলে এই বান্দৰৰপৰা মানুহ হোৱা সাধুকথাটো কি?

অ'চবৰ্ণে নেব্ৰাস্কাৰ মানুহক Pliocene কালৰ বুলিয়েই ক্ষান্ত হোৱা নাই, তেওঁ কৈছে সেই লোপ পোৱা জাতিৰ নিয়েনডেৰথালত পোৱা লাওখোলাটোৰ সূক্ষ্ম বিচাৰ কৰিলে ইয়াৰেহে প্ৰমাণ হয় যে এই লোপ পোৱা জাতিটোৰ শত সহস্ৰ পুৰুষ থিয় হৈ খোজ কাঢ়িছিল। হাত ভৰি আৰু গাৰ আন আন অঙ্গবিলাকো বান্দৰৰ নিচিনা হওক ছাৰি স্বভাৱতঃ মানুহৰ নিচিনাইহে আছিল।

তেওঁ দেখুৱাইছে মানুহৰ হাতৰ বুঢ়া আঙ্গুলিটো বেছি সংবৰ্দ্ধিত কিন্তু বান্দৰ তেনে নহয়। ই সৰুহে হৈ গৈছে সিহঁতৰ হাত আঁকোৰা। মানুহৰ ভৰিৰ বুঢ়া আঙ্গুলিটো আন আন আঙ্গুলিবোৰৰ সৈতে সমান্তৰাল, কিন্তু বান্দৰৰ ভৰিৰ বুঢ়া আঙ্গুলিটো, হাতৰ বুঢ়া আঙ্গুলিৰ দৰে বেও লোৱা।

সৌভাগ্যবশতঃ অ'চবৰ্ণে কয় যে Pithecanthropus নামটো ভুল। কিয়নো Pithecanthropus, এই গ্ৰীক শব্দটোৱে বুজোৱা বান্দৰ-নৰ নাছিল। মানুহৰ দৰে ভাবিব আৰু কথা কব পৰা আৰু থিয় দি খোজ কঢ়া অৰ্থাৎ Proman or Dawn man আগ মানুহ বা পুৱতি মানুহ হে আছিল। অৱশ্যে শেহত কোৱা এই কথাষাৰ কোৱা হৈছে জাভা দ্বীপত পোৱা লাওখোলাটোৰ মস্তিষ্কৰ সাঁচৰ লগত মানুহ আৰু বান্দৰৰ মস্তিষ্কৰ সাঁচ বিজাই চাইহে।

আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ স্নায়ুশাস্ত্ৰৰ অধ্যাপক ডাঃ ফ্ৰেডাৰিক টিলনিয়ে এই মস্তিষ্কত ভাব, কল্পনা, যুক্তি আৰু বাক্‌শক্তিৰ স্থানৰ উপস্থিতি ধৰিছে।

অ'চবৰ্ণে কৈছে মানুহসদৃশ বান্দৰৰ পৰা পৃথক মানুহৰ আদিপুৰুষৰ অন্ততঃ oligocne কালৰ আগ ভাগতো পাব। Prof. Barrellৰ প্ৰাক্-ঐতিহাসিক সময়ৰ জোখমতে ই ৪০,০০০,০০০ কোটি বছৰৰ আগত।

প্ৰফেচৰ অ'চবৰ্ণে আৰু কৈছে যে এই বান্দৰ-মানুহ থিঅ'ৰিটো মিছা আৰু ভ্ৰান্তিমূলক। আমাৰ সাহিত্য আৰু অনুসন্ধিৎসু ভাবৰ পৰা ইয়াক আতৰাই পেলাব লাগে, মনোজ্ঞ নহয় বুলিয়েই নহয়, বিশুদ্ধ বৈজ্ঞানিক কাৰণতহে। আৰু আমি এতিয়া আমাৰ প্ৰকৃত আদিমানুহ বিচাৰি উলিয়াবলৈ সাজি-পাৰি ওলাব লাগে।

আমি এতিয়া দেখিলো অচবৰ্ণে এই বান্দৰ-মানুহ থিওৰিটো নেমানে। সেই দেখি আমাৰ প্ৰশ্ন বান্দৰৰ পৰা মানুহ হোৱাৰ প্ৰয়োজন বা কেনেকৈ হল ইত্যাদি ইয়ালৈ আনিবই নোৱাৰি। আকৌ Pithecanhropus

বা অ'চবৰ্ণৰ মতে কবলৈ গলে Pliocene কালৰ এই আগ মানুহৰ মস্তিষ্কত যদি ভাব, বাক্ আৰু যুক্তিৰ স্থান থকা প্ৰমাণ হয় তেন্তে আমিয়েইবা ইয়াক মানুহ বুলি নেমানিম কিয় ?

প্ৰফেচৰ উইলিয়াম কে, গ্ৰেগৰিৰ মতে ৰিডমুৰৰ Pliocene কালৰ টিঙ্গিৰাৰ আৰু নেব্ৰাস্কাৰ হাড়ৰ সজুলি বোৰ মানুহে কৰা হওক নহওক মানুহ যে pliocene কালত আন আন সকলো স্তন্যপায়ী জন্তুতকৈ পৃথক আছিল তাক প্ৰমাণ কৰিবলৈ আৰু আন আন বহুতো প্ৰত্যক্ষ প্ৰমাণ আছে।

মানুহৰ আমি জনা সকলো চিহ্ন, মস্তিষ্ক আৰু জকা চালে মানুহ জাতিৰ ভিতৰতেই থাকে।

বৰ্ত্তমান থকা প্ৰমাণৰ পৰা প্ৰফেচৰ গ্ৰেগৰিৰ মতে আমি (মানুহ) বান্দৰৰ পৰা কটা সময়টো middle miocene কালৰ পাচত পেলাব নোৱাৰি। Prof. Barrellৰ মতে middle mioceneৰ কাল ১০, ০০০,০০০ বছৰৰ আগতে হব।

প্ৰফেচৰ জুলিয়ান হাক্সলিয়ে কয় "হেৰোৱা বান্ধ" বিচাৰি বান্দৰ-নৰ থিঅৰিৰ পৃষ্ঠপোষক সকলে পৃথিবী চলাথ কৰিলে। তেওঁলোকে দেখিলে মানুহ পৃথিবীত শতশতাব্দী ধৰি আছে আৰু দেখিলে যে আগত পোৱা মানুহৰ চিন কেইটাত কেৱল chimpanzeeৰ নিচিনাহে মস্তিষ্ক আছে।

তেওঁলোকে যিমান আগলৈকে বিচাৰি গৈছিল মানুহক সদায় আৰু থিৰাংকৈ মানুহেই পাইছিল। ই সদায় দুই ভৰিৰে খোজ কাঢ়িছিল আৰু কেৱল হাততে পোৱা সজুলিকে ব্যৱহাৰ কৰা নাছিল, নিজৰ ব্যৱহাৰৰ কাৰণে কৰিও লৈছিল।

যুক্তিত কিজানি সেই স্বৰ্গীয় উপাদানৰ আভাস হে আছিল কিন্তু ই যুক্তিয়েই আছিল। ওখখাপৰ ইতৰ বুদ্ধি নহয়—ই তেনেই আনবিধৰ। কাৰ্য্যত ই বহুত দিনলৈকে ইতৰবুদ্ধিতকৈও অপকৃষ্ট আছিল। কিন্তু ইয়াৰ স্বভাৱেই বেলেগ আৰু মানুহ পৃথিবীলৈ নহালৈকে ইয়াৰ আবিৰ্ভূতি নাই। যুক্তিৰ জিলিকনি নোপোৱা মানুহো কতো পোৱা নেযাব।

আনপোনে, মানুহ যেনেকৈ মানুহেই আছিল, বান্দৰ বানৰেই আছিল। বান্দৰৰ উৎকৰ্ষণত যদি মানুহ হব নোৱাৰে তেন্তে মানুহৰ অৱনতিতো বান্দৰ হব নোৱাৰে। মানুহ আৰু বান্দৰৰ ভিতৰৰ এই অসীম প্ৰভেদক একোৱে সংযোগ কৰিব নোৱাৰে। মানুহৰ গুৰি বিচাৰি আমি মধ্য এচিয়াকে আবিষ্কাৰহেতু পৰ্য্যবেক্ষণ কৰিব লাগিব। ইয়াতে আমি ঘোৰাৰ আদিপুৰুষক পাইছো সেই খুৰাৰ সলনি আঙ্গুলি থকা, শহাৰ দৰে সৰু জন্তুটো, এনে বুলিও কিন্তু নিৰ্ভুলে ঘোৰাই ই।

বান্দৰৰ আদিপুৰুষৰ দৰে হাবিচৰ মানুহৰ আদিপুৰুষ নাছিল বুলি বৈজ্ঞানিক সকলৰ মত। তেওঁলোকৰ ধাৰণা যে পূৰ্ব্বকালৰ ঘোৰাৰ দৰে মানুহে ভৈয়ামত বাস কৰিছিল কিন্তু অঘৰী আছিল।

ইজিপ্টৰ oligocene কালৰ স্তৰবিভাগত ভন বাটেল ৰীপেনে যি চিহ্ন পাইছে তাক যদি আমি কেতিয়াবা চিনাক্ত কৰিব পাৰো তেন্তে আমি দেখিম যে আজিকালিৰ কেচুৱা এটাতকৈ ই ডাঙৰ নহয়।

হাক্সলীয়ে মানুহৰ আচল আদি পুৰুষ বুলি বৰ্ত্তমান এই চিহ্নটোলৈ আঙ্গুলিয়াব খোজে। কিন্তু হাক্সলীয়ে কৈছে যে এনে এটা সময় নিশ্চয় আছিল যেতিয়া পাচত মানুহ হব পৰা জন্তুটোৱে মানুহ আৰু অমানুহৰ এই অসীম প্ৰভেদটো একেজাপে পাৰ হয়।

যুক্তি কেতিয়াও ইতৰজন্তুৰ বুদ্ধিৰ পৰা বিকাশ হব নোৱাৰে; কাৰণ ইহঁত দুয়ো পৰস্পৰবিৰোধী। যুক্তিৰ গুৰিতে হৈছে কাৰণ বিচৰা আৰু অৱস্থা চাই কামৰ সাল-সলনি ঘটোৱা। এনে নকৰাটোৱেই হে আকৌ ইতৰবুদ্ধিৰ প্ৰকৃতি। আমাৰ বহুতে যে ইতৰ বুদ্ধিৰ সহায়েৰে চলে তাৰ কোনো সন্দেহ নাই কিন্তু আমি যুক্তিৰ ওপৰত নিৰ্ভৰ কৰা মুহূৰ্ত্তে ইতৰবুদ্ধিক অৱজ্ঞা কৰি বশ কৰোঁ। অৰ্থাৎ ইতৰবুদ্ধিৰ সলনি এটা পৰস্পৰ বিৰোধী বস্তুৱে ঠাই লয়।

এই ডাঙৰ সমস্যাটোৰ—মানুহৰ উত্থান—সিদ্ধি সাধন হব ইউৰেচিয়া মহাদেশত কৰা অবিৰাম আবিষ্কাৰ অন্বেষণৰ দ্বাৰা যেতিয়া আমি oligocene কালত আগমানুহ mioçene আৰু Pliocene কালত পুৱতি মানুহ আৰু

সৰ্ব্বান্তৰত আজিকালিৰ এই বৃহৎ মস্তিষ্কৰ মানুহৰ আদিমপুৰুষ বিলাক Pleistocene কালৰ আদিতে পাম।

সি যিয়েই নহওক হাক্সলি কিন্তু পতিয়ন গৈছে যে আমি এনে এটা সময় পাম যেতিয়া আমি কব পাৰিম যে ইয়াতে আগমানুহ সি যিমান নীহেই নহওক থিৰাংকৈ মানুহ হৈছে। আমি দেখিম ইটো সিটোলৈ ক্ৰমান্বয়ে মাৰ যোৱা নাই,—ই এটা অশৃঙ্খল যেন এটা নতুন আৰু একেধাৰে আন তৰহৰ জীৱনলৈ জাপ।

আমি মানুহ আৰু অমানুহ পামহক। মানুহক উৎকৰ্ষণৰ আদি অৱস্থাতে পাম কিন্তু হাক্সলিৰ মতেৰে আমি মানুহো নহয়, জন্তুও নহয় এনে এটা প্ৰাণী কেতিয়াও নেপামহক। জন্তু আৰু মানুহৰ ভিতৰত ইমান পাৰ্থক্য তাক যিমান "adaptation to environment" হওক কোনোমতেই সংযোগ কৰিব নোৱাৰে।

প্ৰফেচৰ জৰ্জ্জ ইলিয়ট স্মিথে কৈছে বান্দৰৰ মস্তিষ্কত পোৱা কোনো গঠনেই মানুহৰ মস্তিষ্কত নোহোৱা নহয়; আনপোনে chimpanzee বা গৰিলাৰ মস্তিষ্কত নোহোৱা কোনো প্ৰকাৰৰ গঠনকেই মানুহৰ মস্তিষ্কই প্ৰকাশ নকৰে। মানুহৰ মস্তিষ্কৰ বিশেষত্ব কেৱল পৰিমাণত।

মানুহৰ মস্তিষ্কত যি যি ভাগ ইমান পৰিস্ফুটিত হৈছে তাক এই নৰসদৃশ বান্দৰৰ মস্তিষ্কতো চিনিব পৰা গৈছে। এই অংশ বিলাকৰ প্ৰসাৰেইহে মানুহক অনুভব, বুজ, কাম, বাক্ আৰু শিক্ষাৰ শক্তি দিছে।

আগত দিয়া,কথা বোৰৰ পৰা এতিয়া দেখা গৈছে যে আজিকালিৰ নৃতত্ত্ববিদ সকলে নিয়েনডেৰথালৰ আগত পোৱা সকলোকে মানুহ বুলি ধৰিছে। Virchowৱে এই Pithecanthropusক ভালকৈ চাই স্পষ্টকৈ মত প্ৰকাশি কৈছে যে লাওখোলাটো এটা gibbon অৰ। দাঁতকেটা মানুহতকৈ বেছি বান্দৰসদৃশ আৰু উৰুহাড়-ডাল মানুহৰ দৰে হলেও gibbon বুলিবও পৰা যায়; বান্দৰৰ ভিতৰত গিবনেহে স্বভাৱতে থিয় হৈ খোজ কাঢ়ে। ইয়াৰ আৰু মানুহৰ উৰুহাড়ৰ মাজত বহুত সামঞ্জস্য আছে।

আনপোনে এইটোও সচা যে মানুহৰ আদিপুৰুষ বিচাৰি আমি আগলৈ যাওঁতে মানুহ যে আজিৰ মানুহৰ দৰে নাছিল সেইটো মনত ৰাখিব লাগিব। আৰু সেই কাৰণেই গঢ়ৰ তাৰতম্য থকাটো স্বীকাৰ কৰিব লাগিব। ইয়াত বাহুল্যৰূপে সমালোচনা কৰা সম্ভৱ নহয়। মাথোন মানুহৰ উত্থান বিষয়ক বৰ্ত্তমান এটি চমু বৰ্ণনাহে দিয়া হল।

প্ৰাকৃতিক নিয়মবলেৰে প্ৰাঞ্জলৰপৰা জটিল আৰু অসম্পূৰ্ণৰপৰা সম্পূৰ্ণলৈ যোৱা গতিকে আমি ক্ৰমবিকাশ বোলো। বহুতৰেই ধাৰণা আছে যে ক্ৰমবিকাশ সৃষ্টিৰ অনুকল্প। জাতিৰ উত্থানৰ কাৰণে প্ৰাকৃতিক নিৰ্ব্বাচন, habit, বা জীৱন সংগ্ৰাম যথেষ্ট কাৰণ হব নোৱাৰে। ই কেৱল জাতিৰ ভিতৰৰ বিভিন্ন শ্ৰেণীৰ উৎপাদনৰ কাৰণহে হোৱা সম্ভৱপৰ।

মানুহ আৰু বান্দৰৰ ভিতৰত শাৰীৰিক সামঞ্জস্য থাকিলেও মানসিক বৈষম্য অডেৱনীয়। মানুহৰ শৰীৰৰ লগত বান্দৰৰ এই আসন্নতাটো এই বিৰক্তিকৰ বিদ্ৰূপাত্মক অনুকৰণটো কেৱল আকস্মিক ঘটনাক্ৰমে হোৱাহে, কোনো দূৰীস্থিত সমন্ধৰপৰা নহয়।

আগত ডাঃ টিলনি আৰু প্ৰফেচৰ স্মিথৰ কথা কোৱা হৈছে। যদি প্ৰফেচৰ স্মিথে কোৱা মতে মানুহৰ আৰু বান্দৰৰ মস্তিষ্কৰ গঠনৰ কোনো ডেঢ়তুতি নাই তেন্তে যি যুক্তিত আমি আগতে Pithecanthropusক মানুহ বুলিছোঁ সেই যুক্তি সমূলঞ্চে মূল্যহীন। আনপোনে আকও এইটোও খাটে যদি Pithecanthropusৰ দিনতে বান্দৰৰ মস্তিষ্কৰ গঠনৰ দৰে আছিল তেন্তে মানুহৰ মস্তিষ্কৰ যি যি ভাগৰ প্ৰসাৰেই মানুহৰ বিশেষত্ব বান্দৰৰ সেই সেই ভাগৰ পৰিস্ফুটতা হোৱা নাই কিয় ? জুলিয়ান হাক্সলিৰ প্ৰতিবাদেই ভেদসূচক। কিয়নো ইতৰ জন্তুৰ বুদ্ধিৰপৰা কেতিয়াও যুক্তি নোপজে, নহলে পৃথিবীত মানুহৰ অৱতাৰৰ আগৰ শত শতাব্দী বাস কৰি অহা ইতৰ জন্তুৰ বুদ্ধি প্ৰকৃতিৰ উন্নতিশীল প্ৰভাৱ আৰু জীৱন সংগ্ৰামত পৰি যুক্তিত পৰিণত হোৱা নাই কিয় ?

'জীৱৰহস্য' (Romance of life) বুলি জাৰ্ম্মানীত এখন নতুন চলৎছায়াচিত্ৰ ওলাইছে। ইয়াত মানুহৰ প্ৰাথমিক অৱস্থা আদি, ইয়াৰ লাহে লাহে পৰিস্ফুটতা বিষয় ভালৰূপে দেখুৱা হৈছে। চিত্ৰখন কৰা হৈছে প্ৰফেচৰ জুলিয়ান হাক্সলিৰ নিপুণ নিৰ্দ্দেশত।

সত্য

কবিতা— —শ্রীযুত বসুকান্ত বরকাকতী

সৃষ্টির উল্লাস লাগি প্রথমে যিদিনা
ব্রহ্ম-কমণ্ডলুর, সি লভি
বাবি-স্পর্শ,
সঞ্জীবিত ক্ষুদ্র এই জীবন-অঙ্কুর
উঠিছিল মূর্ত্তিমান্ এটি
মধু-হর্ষ।

পালনর বিষ্ণু-হস্ত পবশত পুষ্ট
পল্লবিত, প্রফুল্লিত কত
আশা-ফুল,
রুদ্রর একেটি দৃষ্টিয়ে কবি দিলে
ছাবখাব, আজি ই জীবন
কবি ভুল।

চউদিকে জ্বলে ভস্মধূম, আলা তৃষ্ণা
দুবন্ত লালসাব, কদর্য্য
হু-হুঙ্কাব,
শব্দ-গন্ধ-রূপ-বস নীবস কেবল
জ্বলে বহ্নি লক্ লক্ লেলিহান্
দুর্জ্জয় ক্ষুধাব।

সত্য নোহে ব্রহ্ম তেনে সত্য নোহে বিষ্ণু
সত্য নোহে রুদ্রবো সি প্রলয়ব
বাক্ষসীয় কায়া,
তিনি জিনি পূর্ণ সত্য আনন্দ কি কিবা
বহস্যব চিবপ্রশ্ন সুন্দব সি
সত্য কিম্বা মায়া ?

মৃত্যু-পিপাসা

গল্প— —শ্রীযুত চন্দ্রকান্ত বরকাকতী

মুবব ওপবত সুকদেবব প্রথব তাপে যেন হাজাব বছবব পিয়াহ পলুবাই লৈছিল সমস্ত নগবখন গুহি। শিলেবে বঙোবা আলিবোব জুই-আঙনিব দবে জ্বল উঠিছিল। নগবখন এনেহে হৈছিল যেন বাজপুতনা প্রদেশব এখন মকভূমিহে।

আলিবেদি বেছি মানুহব সমাগম নাই। কাম-কাজ নোহোবা বৰপেট মোহাবি দিন কটোবা হতইশনীয়া ইতেও শুব নোবাবি বিছনাত কিনা তিল তালাব ওপবব বাবান্দাত দীঘল দি পবি বজনীকান্তব উপন্যাস পড়ি সময় মিয়াইছিল। গবমব প্রকোপত সকলোবে পক্ষে কাম কবা অসম্ভব হৈ উঠিছিল। কুলী-মাতীবি-াকেও অসহ্য গবমত কামলৈ নগৈ, সিহঁতব ফটা কঁথা কেইখন মুবত দি শুই পবিছিল। চকুত হলে টোপনি ধবা নাছিল। গবমত থাকিব নোবাবি সকলো মানুহে 'কলৈ যাওঁ গোপাল, কলৈ যাও কৃপাল' লগাইছিল। আলিব দুযো কাষব দোকানবোব যদিও খোলা আছিল, তথাপি প্রখব তপত বতাহ সহিব নোবাবি আজীব দুবাবোব বন্ধ কবি দিব লগীয়া হৈছিল।

সেই কল্পনাতীত অবস্থাকো ভ্রূক্ষেপ নকবি, দুখকো দুখ দুবুলি অবিবাম গতিবে মনিবামে খোজ দিছিল, নগবব কোনো লক্ষ্য স্থান পাবব কাবণে।

পথশ্রান্ত ভবি দুখনে তাব দেহাটোক লৈ সুস্থিবে চলিব পবা নাছিল, ভবি দুখনব তলুবাত শিলব তাপ সহিব নোবাবি টোবা ফুটি উঠিছিল। তেও যেন তাব ভ্রূক্ষেপ নাই বিবাম নাই ···। মুখেদি তাব কোনো কথাই সবি পবা নাছিল, পিয়াহত ... অণ্ড-কণ্ঠ শুকাই নিছিল। পানীব অভাবত তাব প্রাণ যাওঁ যাওঁ হৈছিল। সি জীবনত কেতিয়াও এনে ভবা নাছিল যে নগববিলাক ইমান নীবস, শুকান, নির্ম্মম!

তাব চকু আলিব ইকাষে সিকাষে ঘুবাই গৈছিল, কববাত পানীব কুঁৱা পায় বুলি। তাব এনেহে অবস্থা হৈছিল ডিঙিটো তিয়াই লবলৈ অকণ লাগবীকো নাই।

উঃ! কি ভীষণ অবস্থা! এইবিলাক নগবতেই ডাঙব মানুহবোব থাকেনে? ষাঁত অকণ পানী পাবলৈ নাই, আক এনেবোব ডাঙব মানুহেই গাঁৱলৈ গলে, গাঁৱব পানী বেছা, খালে পানীহে লাগিব, বুলি চুপাই চুপাই গাখীব পিবলৈ বিচাবে। ইত্যাদি ভাব মনিবামব মনলৈ আহিবলৈ ধবিলে।

পিয়াহত তাব প্রাণ কণ্ঠাগত, সি বিচাবিছে পানী, কিন্তু পায় ক'ত?

মনিবাম নগবলৈ অহা এয়ে প্রথম।

খোজত খোজ দি সি আগ বাঢ়িবলৈ ধবিলে, ক'ববাত পানী পাবব আশাত। কিন্তু তাব আগ বঢ়াইছে সাব হৈছে মাথোন। তাব দুযোফালে শুকান নীবস দালান ঘবিলাক আক তাতকৈও শুকান নীবস নির্ম্মম মানুহ শিলব আলিটো। তাব মনত ভাব আহিল, আক কিছু সময় এনেভাবে গৈ থাকিলে তাব দেহাই পবিবগৈ। তথাপি পানী পাবব আশা নাই ... নিবাশ মনেবে বহি পবিল, একাষব এটা বাবান্দাব ওপবত। কিন্তু তাতো তাব বহাব সুখ নহল। বাবান্দাত ব'দ পবি এনেহে হৈছিল যেন চোকাত তপত খোলাহে।

মনিবাম তাব পবাও উঠিবলৈ বাধ্য হল।

লাহে লাহে সি আকৌ আগুবাবলৈ ধবিলে ···

বুকুখন ফাটি যেন তাব কান্দোন ওলাল। মনত পবিল তাব মাকলৈ, সিহঁতব মনোবম সজীব গাওঁখনলৈ। গাঁৱত থাকোতে সি শুনিছিল, নগবব বাটে-ঘাটে পইছা সিঁচবতি হৈ পবি থাকে, মাথোন বুটলি আনিবলৈ জানিলেই হয়। ক'ত টকা? এয়া যে মাথোন শিলগুটি আক বালি।

দুধাৰ চকুলো তাৰ দুচকুৰেদি বৈ গল। হিয়াভেদী এটা তপত হুমুনিয়াহ পৰিল, উঃ!

উজুটি খাই সি হামখুৰি খাই পৰিল। বহুকষ্টে উঠি চাই দেখে ভৰিৰ আঙ্গুলি এটা ছিগি তেজ বৈছে। এডোখৰ ঠাইৰ শিলগুটিবোৰ তেজেৰে ৰাঙ্গলী হৈ গল। বান্ধিবলৈ এতিয়া কাপোৰ পায় ক'ত? চুৰিয়াখনৰ আগটোৰে এডোখৰ ফালি আঙ্গুলিটোত মেৰিয়াই লৈ আকৌ সি যাবলৈ ধৰিলে ... কিন্তু ... পানী নহলেই নহয় যে! চকুৰ আগতে দেখিবলৈ পালে, এজন মানুহে কাষৰে দোকান এখনত এটা আৰ্চ্চীৰ গিলাছত বাকী ৰঙা পানী পিবলৈ ধৰিছে। দোকানখনত আৰু যে কত ৰকমৰ ৰঙা বগা হালধীয়া পানীৰ বোটল সজাই থৈছে। পানী দেখা পোৱা মাত্ৰেই তাৰ পিয়াহ দুগুণে বাঢ়িবলৈ ধৰিলে। সি দোকানৰ ভিতৰলৈ সোমাই গল।

মানুহজনে পানী খাই গিলাছটো দোকানীজনক দিব খোজোতে মণিৰামে মাত দিলে, হেৰি দোকানী বাবু! মোকো অলপ পানী দিব নে?

মণিৰামৰ ফটাছিটা মলিন পৰিচ্ছদ দেখি দোকানীয়ে ঠাট্টা ভাবেৰে হাঁহি উত্তৰ দিলে, এইখন দোকানত বাবু মানুহেহে পানী খায়। তুলি খালে খাব পাৰিবা, কিন্তু পইছাহে লাগিব নগদ দু-অনা।

মণিৰামৰ কথাটো শুনামাত্ৰেই চুলিৰ আগে জীৱ গল। কি নাভূত নাশ্ৰুত কথা! পানীও কিনিলেহে দিয়েনে?

পিয়াহত থাকিব নোৱাৰি জেপটো খেপিয়াই চালে। এটা ফুটা কড়িও নাই। অতি দুখৰ ওপৰতো তাৰ মুখত এটা বিষাদৰ হাঁহি ফুটি উঠিল। হায়! নগৰত পানীৰ দামো দু-অনা।

এটা তপত হুমুনিয়াহ কাঢ়ি সি দোকানৰ পৰা আকৌ আগুৱাবলৈ ধৰিলে।

পিয়াহত তাৰ অণ্ঠে-কণ্ঠে শুকাই নিছিল। গোটেই শৰীৰটো চাটিফুটি কৰিছিল। বিষাদত তাৰ ফুটি উঠিছিল মাথোন এষাৰি মাত ... উঃ! ..ভগৱান!

হঠাৎ ওপৰৰ মহলাৰ পৰা তাৰ আগতে অলপ পানী জৰজৰকৈ পৰিবলৈ ধৰিলে। মণিৰামে ভাবিলে এয়া ঈশ্বৰৰ দান। ওপৰলৈ চাই দেখে এজনী গাভৰুৱে এটা গিলাছ হাতত লৈ থিয় দি আছে। যি ঠাইত পানী পৰিছিল সেই ঠাইত সি ওপৰলৈ চাই থৰ হৈ ৰল—আকৌ যদি পানী পৰে তেন্তে এইবাৰ সি নিশ্চয় পাব বুলি। গাভৰু জনীয়ে তললৈ চাই চকুকেইটা পকাই ধৰিলে।

মণিৰামক হেৰা লাগি চাই থকা দেখি বিদ্ৰূপ ভাবেৰে মিচিকিয়া হাঁহি এটি মাৰি ওপৰৰ বাৰান্দাৰ পৰা ভিতৰলৈ সোমাই গল। মণিৰামে ভাবিলে পানী আনিবলৈকে গৈছে হবলা।

অলপ পিছত এজন মানুহ সেই ঘৰৰ তলৰ খোটালি-টোৰ পৰা দুৱাৰ মেলি ওলাই আহিল। মণিৰামে ব্যাকুল নেত্ৰে তাৰ ফালে চালে। মানুহটো ওলাই আহিয়েই মণিৰামক গতা এটা মাৰি কলে, কিহে ডাঙৰীয়া! ঘৰত কেইখন দুৱাৰ, কেইখন খিড়িকি, কেনিনো নিশা সোমাব পৰা হব, তাকে "তহিকত" কৰিছা হবল?

মণিৰামে ভাবিলে, কি বিপদ! ভূতৰ ওপৰতে দানহ ওলাল দেখোন! অনাহকত মোৰ ওপৰত এই কিল-গতা। তাৰ পৰা আঁতৰ হৈ গল, উজুটি খাই চিছা আঙুলিটোত আঘাত লাগি আকৌ টোপে টোপে তেজ ববলৈ ধৰিলে।

মণিৰামে সেইফালে মনেই কৰা নাই। যিমান পাৰে আগুৱায়েই আছে।

দেউতা! বন্দীক অলপ পানী দিবনে? বুলি কওঁতেই মানুহজনে দুৱাৰখন বন্ধ কৰি ভিতৰ সোমাই গল।

সি লাহে লাহে আকৌ আগুৱাবলৈ ধৰিলে।

জীৱটো তাৰ চুলিৰ আগত, কেতিয়া উৰি যায় তাৰ নিশ্চয়তা নাই। ইচ্ছা হল তাৰ যেন সি পানী পানীকৈ চিঞৰিব। কিন্তু চিঞৰে কেনেকৈ? ডিঙি ফুটি যে মাত নোলায়।

মণিৰাম অতিষ্ঠ হৈ উঠিল।

হঠাৎ তাৰ চকুত পৰিল ওপৰৰ বাৰান্দাত এটি লৰা। মণিৰাম তাৰ ওচৰ চাপি গৈ কলে, বোপাই মোক এটোপা পানী দিবানে? তাৰ সেই বিকট চেহেৰা, পাগলৰ নিচিনা ভাব ভঙ্গী দেখি, লৰাটোৱে ভয় খাই ভিতৰলৈ লৰ মাৰিলে, আৰু নোলাল।

মণিৰাম তাতে ক্ষন্তেক ৰল, আশা নোহোৱা যেন দেখি আকৌ হতাশ মনেৰে খোজ ললে। পিয়াহত তাৰ গোটেই শৰীৰ মাতি উঠিল।

পানী নহলে আৰু তাৰ ৰক্ষা নাই. নহলে সি মৰিব।

সূৰ্য্যৰ প্ৰখৰ তাপে তেতিয়াও গোটেই নগৰখন শুহি পেলাইছিল। চকু দুটা তাৰ জুই-আঙনিৰ নিচিনা ৰঙা হৈ উঠিল, সমস্ত শৰীৰেদি তাৰ জুইৰ তাপ ওলোৱাদি ওলাবলৈ ধৰিলে। হঠাৎ সি থমক খাই ৰল এঘৰ মানুহৰ দুৱাৰমুখত। খোলা দুৱাৰেদি দেখিবলৈ পালে ঘৰৰ ভিতৰত চকীৰ ওপৰত এজন মানুহ শুই থকা। তেওঁৰ ওচৰতে এটা পানী ভৰা মাটিৰ কলহ আৰু এটা গিলাছ। পানীৰ কলহটো দেখা মাত্ৰেই মণিৰামৰ মন আনন্দত নাচি উঠিল।

সি দুৱাৰমুখত থিয় হৈ মাতিবলৈ ধৰিলে, দেউতা!

দেউতা তেতিয়া টোপনিত লালকাল।

মণিৰামে আৰু পলম কৰিব নোৱাৰিলে, লৰি গৈ কলহটো দুই হাতেৰে ডাঙি ধৰিলে। বোধ হয় ভৰিৰ শবদত দেউতাৰ টোপনি ভাগিল। নিচিনা-নজনা মানুহটোক দেখা পাই চিঞৰি উঠিল 'চোৰ! চোৰ!' পলকতে চাৰিও-ফালৰ পৰা মানুহ আহি ঘেৰি ধৰিলে।

মণিৰামে কলহটো ডাঙি লৈছিলহে মাথোন। এনেকুৱা আকস্মিক গন্দগোলত তাৰ হাত ভৰি কঁপিবলৈ ধৰিলে। হাতৰ পৰা কলহটো খহি মাটিত পৰি ভাঙি ডোখৰ ডোখৰ হল। গোটেই খোটালীটো পানীৰে ওপঙি গল।

হাতত তুলি লৈও মণিৰামৰ আশা পূৰ্ণ নহল।

দেউতাই কলে, ই কটা চোৰ। দিন দুপৰীয়া চুৰ কৰিবলৈ আহিছিল? ইয়ে সিয়ে কলে, মাৰ "চালাক"।

কোনাৱে কোনোৱে কলে, নহয় পুলিচত দিয়া।

দুই বিধেই হল, মণিৰামে মাৰো খালে, পুলিচৰ হাততো পৰিল।

পুলিছে যেতিয়া মণিৰামক টানি লৈ গৈছিল, তেতিয়া তাৰ প্ৰায় বাহ্যজ্ঞান নাই.....দাৰোগাই কলে.....আজিৰ নিমিত্তে ইয়াক কোটত সুমাই থ।

অস্ফুট স্বৰেৰে মণিৰামে মাথোন এবাৰ কলে, অলপ পানী .....পুলিচেও বোধকৰো শুনা নাছিল, শুনিলেও তেনে কথাত পুলিচ বাবুৰ কাণ দিয়াৰ বিশেষ দৰকাৰ বুলি নেভাবিছিল।

অৱশেষত এটা সৰু লোৰ গঁৰালৰ ভিতৰলৈ গতা মাৰি দুৱাৰখন বন্ধ কৰি দিলে।

পকা মাটিত মণিৰাম লুটি খাই পৰি থাকিল।

পিছ দিনা যেতিয়া পুলিচে লোৰ গঁৰালৰ দুৱাৰ খুলিলে, তেতিয়া দেখিলে মণিৰামৰ দেহত জীৱ নাই। মাথোন দুধাৰ চকুলো দুচকুৰেদি বৈ আছিল। *

* এটি ইংৰাজী গল্পৰ ছা লৈ লিখা।

পার্থ-সারথি

(২য় সংখ্যার পাছবপরা)

নাট— —শ্রীযুত বিনন্দচন্দ্র বরুৱা, বি-এ

১ম অঙ্ক

৫ম দৃশ্য—হস্তিনাৰ ৰাজসভা

[বৈতালিকে তোৰণত গীত গাই আছে। ধৃতৰাষ্ট্ৰ সিংহাসনত বহি আছে। ছত্ৰচামৰ সকলো পৰিপাটি ভীষ্ম, দ্ৰোণ, কৰ্ণ, দুৰ্য্যোধন, দুঃশাসন, শকুনি আদি ৰীৰ-সকল, নাৰদ ধৌম্য আদি ঋষিসকল, সভাসদসকল নিজ নিজ ঠাইত বহি আছে। বৃদ্ধসকল একলীয়া। ঠাৱে ঠাৱে যুৱবী প্ৰহৰী দূত সাজু। ৰাজসভাৰ উচিত জাকজমকৰ অভাৱ নাই। দীততি এখন সুন্দৰ বেলেগ আসন সজাই থোৱা আছে।]

(বৈতালিকৰ গীত)

জয় জয় কুকপতি
জয় জয় মহীপতি
জয় প্ৰজা পালক হে!
জয় প্ৰজা ৰঞ্জন
জয় ভয় ভঞ্জন
জয় সুখ কাৰণ হে!
জয় ভীতি নাশক
জয় দীন পালক
জয় নীতি পাৰগ হে!
জয় অৰি ঘাতক
জয় মহা সাধক
জয় ৰীৰ কুলমণি হে!

দুৰ্য্যোধন। তোমাৰ গীত শুনি আমি আনন্দ পাইছোঁ। হোঁৱা পুৰস্কাৰ লোৱাঁ।

(বৈতালিকে হাত পাতি পুৰস্কাৰ লৈ প্ৰণাম কৰি গুচি যায়)

ধৃতৰাষ্ট্ৰ। সভাসদসকল! আজি যদুপতি শ্ৰীকৃষ্ণই পদাৰ্পণ কৰি আমাৰ সভা পৱিত্ৰ কৰিলহি। আপোনালোক সকলো তেখেতৰ অভ্যৰ্থনাৰ নিমিত্তে সাজু হওক!

ভীষ্ম। যদুপতিৰ পদাৰ্পণত আজি কুকসভা ধন্য হ'ল। ই বাস্তৱিকতে আনন্দৰ বিষয়।

শকুনি। (অলপ ব্যঙ্গভাৱে) ধৃষ্টই হয়নে তাৰ বিপৰীতটো হয় দেখা যাওক। (কৰ্ণৰ গাত হাত দি) কি কোৱা কৰ্ণ?

কৰ্ণ। বিচক্ষণ মন্ত্ৰী মাতুল শকুনিৰ কথাত ক্ষুদ্ৰবুদ্ধি কৰ্ণৰ আৰু কি কবলৈ থাকিব পাৰে?

(ডেকাসকল ইটোৱে সিটোলৈ চাই হাঁহে)

দুৰ্য্যোধন। (অলপ উঠি চায়) সৌৱা কৃষ্ণ আৰু সাত্যকি সিংহদ্বাৰ পালেহি।

(বৈতালিকৰ প্ৰবেশ আৰু সভাক প্ৰণাম)

বৈতালিক। (অলপ ডাঙৰকৈ) যদুপতি শ্ৰীকৃষ্ণই মহাৱীৰ সাত্যকিৰে সৈতে কৌৱৰ-সভাত পদাৰ্পণ কৰিছে।

(এফালীয়া হয়)

দুৰ্য্যোধন। (আগবাঢ়ি) আহক সাত্যকি, আহক যদুপতি! আজি আমাৰ বৰ ভাগ্য! (সাত্যকি আৰু শ্ৰীকৃষ্ণই সম্মতিসূচক হাঁহি মাৰি সভাত প্ৰবেশ কৰে। সভাৰ কোনো কোনোৱে থিয় হৈ প্ৰণাম কৰে। কৃষ্ণয়ো মুৰ দুপিয়াই প্ৰণাম জনাই, দুৰ্য্যোধনে দেখুৱাই দিয়া সিংহাসনত বহে। সাত্যকিও ওচৰৰ আসনত বহে। সভাত ইটোৱে সিটোৱে চুকে চুকে ফুচফুচীয়া কথা পাতে। মাজে মাজে ঠাৱ-চিঞাৰ দিয়ে। ইতিমধ্যে শ্ৰীকৃষ্ণৰ সম্মান-সূচক শঙ্খ, ঘণ্টা আদি বাজনা নেপথ্যত বাজি উঠে। সভাৰ এফালে দুঃশাসন, শকুনি, কৰ্ণ আদিয়ে থিয় হৈ দুৰ্য্যোধনক মাজত লৈ কিবা পৰামৰ্শ কৰি থাকে—তাৰ ভিতৰত শকুনিৰ ঠাৱচিঞাৰ প্ৰধান। বাজনা বন্ধ হলত

সভাত পুষ্পবৃষ্টি। বৈতালিকৰ গীত আৰম্ভ। গীত গাই থাকোতেই কৃষ্ণ আৰু সাত্যকিয়ে মুৰ দুপিয়াই ভীষ্ম দ্ৰোণ আদিক হাঁহি হাঁহি এজন এজনকে অভিবাদন জনায়। তেওঁবিলাকে প্ৰতি-অভিবাদন জ্ঞাপন কৰে। ইতিমধ্যে সৌম্যমূৰ্ত্তি বিদুৰ সভাত সোমাই সকলোকে প্ৰণাম জনাই ধৃতৰাষ্ট্ৰৰ ওচৰত বহে।)

(বৈতালিকৰ গীত)

জয় নন্দ নন্দন,
গোপিকা ৰঞ্জন,
সুন্দৰ গিৰিধাৰী।
জয় যাদৱ ধন,
শ্যাম নব ঘন,
কালী দমনকাৰী।
অগতিৰ গতি,
শ্ৰীধৰ শ্ৰীপতি,
ভকতৰ ভয়হাৰী।
দেহ গতি মতি,
তৱ পদে ৰতি,
বৃন্দাবনচাৰী।

(গীতৰ অন্তত বৈতালিকে কৃষ্ণক প্ৰণাম জনায়। কৃষ্ণই বৈতালিকক এধাৰ মালা দিয়ে। বৈতালিকে মালাধাৰি ভক্তিভাৱে মূৱত লগাই আকৌ প্ৰণাম কৰি প্ৰস্থান)

ধৃতৰাষ্ট্ৰ। আজি যদুপতিৰ আগমনত আমি সকলোৱে আনন্দ পাইছোঁ। যদুপতি আৰু মহাৱীৰ সাত্যকিক আমাৰ সাদৰ সম্ভাষণ জনাইছোঁ।

শ্ৰীকৃষ্ণ। কুকপতিৰ সম্ভাষণত আমিও সন্তোষ পাইছোঁ। আমাৰ আগমনৰ উদ্দেশ্য সুধিলে আৰু কৃতাৰ্থ হ'ম।

ধৃতৰাষ্ট্ৰ। যদুপতি আগমনৰ কথা আমি আগেয়ে বুজি যদুপতিলৈ আমাৰ বিশেষ শ্ৰদ্ধা ৰৈছে। সভাৰ আগত যদুপতিয়ে উদ্দেশ্য বেকত কৰিলে আমি পৰম সন্তুষ্ট হ'ম।

শ্ৰীকৃষ্ণ। তেন্তে শুনক মহাৰাজ! কৌৱৰ আৰু পাণ্ডৱ দুয়োদলেই মোৰ আপোন। দুয়োদলৰ উন্নতি হলেই মই ভাল পাওঁ। পাণ্ডৱে শকুনিৰ ছলনাত অন্যায় পাশাত হাৰি বনত আৰু অজ্ঞাত বাসত থাকিব লগীয়া হল। এতিয়া এই সত্যৰ পৰা পাণ্ডৱ উদ্ধাৰ হৈছে। পূৰ্ণৰ প্ৰতিশ্ৰুতি মতে তেওঁবিলাকৰ ভাগৰ ৰাজ্য ঘুৰাই দিয়ক। যুদ্ধ কৰাৰ কোনো আৱশ্যক নাই। যুদ্ধত পৃথিবীৰ মহা মহা ৰীৰসকল ধ্বংস হয়। হেজাৰ হেজাৰ তিৰোতা বিধবা হয়। আৰু হেজাৰ হেজাৰ ল'ৰা ছোৱালী অনাথ হয়। দেশত মাৰি মৰক, দুৰ্ভিক্ষ আদিয়ে দেখা দিয়ে। ধৰণীৰ ওপৰত নব ৰক্তৰ সোঁত বয়। সুজলা সুফলা শস্যশ্যামলা ধৰণীক বিকটদশনা ধ্বংসৰাধণা কৰি তোলে। এই দুই দলৰ ভিতৰত যেয়ে জিকক লাগে, তেওঁ নিজৰ কঙ্কাই-ভাইক ধ্বংস কৰি একো সুখ নাপাব। সেই দেখি সম্ৰাট দুৰ্য্যোধনক যুদ্ধৰ পৰা ক্ষান্ত কৰক। নিজৰ ভিতৰত যুদ্ধ নেমাতি দুয়োদল মিলি গোটেই পৃথিবী ভোগ কৰক। ভাবি চাব ভীষ্ম, দ্ৰোণ, কৰ্ণ, অশ্বত্থামা আৰু শত ভাই দুৰ্য্যোধনৰ লগত পাঁচোটা মহাপৰাক্ৰমী সিংহৰ নিচিনা পাণ্ডৱ লগ লাগিলে ভাৰতত আৰু কোনেও বেলেগ স্বাধীনতাৰ গৌৰব-নিচান তুলিব নোৱাৰিব। আকৌ ভাবি চাব মহাৰাজ। পাণ্ডৱ সদায় আপোনাৰ অনুগত। আপুনি তেওঁবিলাকক বেতিয়াই যি আদেশ কৰিছে তেতিয়াই তেওঁবিলাকে ন্যায় অন্যায় বিচাৰ নকৰি পালন কৰিছে। ধৰ্ম্মৰাজে মোৰ আগত ইয়াকে কৈ পঠাইছে, আপুনি আধা ৰাজ্য দিবলৈ টান পালে তেওঁবিলাকে মাত্ৰ পাঁচখন গাওঁ পালেও সন্তোষ পাব। হে কুকপতি! আপুনি বৃদ্ধ, আপুনি অভিজ্ঞ, আপুনি ৰাজনীতি-পাৰঙ্গম। আপোনাক প্ৰাৰ্থনা কৰিছোঁ আপুনি অদূৰদৰ্শী দুৰ্য্যোধনক এই আত্মঘাতী যুদ্ধৰ পৰা ক্ষান্ত কৰক। নহলে কুক ৰ শৰ ধ্বংস অনিবাৰ্য্য।

ভীষ্ম। (কৃষ্ণৰ কথাৰ ওপৰতে) অনিবাৰ্য্য। যয়ো কওঁ, ধ্বংস অনিবাৰ্য্য। য'তে ধৰ্ম্ম ত'তে জয়। ন্যায়ৰ এটি ফিৰিঙ্গতিয়ে অন্যায়ৰ ব্ৰহ্মাণ্ড পুৰি ছাৰখাৰ কৰিব পাৰে। দুৰ্য্যোধন! তুমি যুদ্ধৰ অহঙ্কাৰ পৰিত্যাগ কৰি ন্যায় পথ অবলম্বন কৰা। যদুপতিৰ অনুৰোধ ৰক্ষা নকৰিলে পৃথিবীত ধ্বংসৰ প্ৰলয়-অগ্নি জ্বলি উঠিব।

দ্রোণ। আমি আগেয়ে কৈছোঁ মহাৰাজ দুর্য্যোধনক এই যুদ্ধৰ পৰা ক্ষান্ত কৰক।

বিদুৰ। পিতৃহীন অনাথ পাণ্ডৱক যথেষ্ট অত্যাচাৰ কৰা হৈছে। এতিয়াও এই অত্যাচাৰ চলিলে ধৰ্ম্মই নাশিব মহাৰাজ!

নাৰদ। মহাৰাজ! স্বয়ং পূৰ্ণব্ৰহ্ম ভগৱন্ত ধৰাত অৱতীৰ্ণ হৈ পৃথিবীৰ ভাৰ হৰণ কৰিব। পৃথিবীত ন্যায়-ৰাজ্য স্থাপন কৰিব। সেই নৰৰূপী নাৰায়ণ আজি নিজে আহি আপোনালোকৰ ওচৰত শান্তি প্ৰাৰ্থনা কৰিছে। এনে সুযোগ আৰু মহাৰাজ! কোনেও ক'তো পোৱা নাই। আপুনি উদ্ধত পুত্ৰৰ কথা শুনি পুত্ৰ-স্নেহ বিসৰ্জ্জন দি দুর্য্যোধনক শাসন কৰক। যুদ্ধৰ পৰা ক্ষান্ত কৰক। নহলে অবিলম্বে শোণিতত বগাই পৃথিবী ৰুবাই পেলাব। সকলো ক্ষত্ৰিয়ই সেই ধৰ্ম্মযজ্ঞৰ আহুতি।

ধৌম্য। মহাৰাজ! আপুনি সকলো জানে। উদ্ধত আৰু অহংৰাবী পুত্ৰক শাসন নকৰিলে কি পৰিণাম হয় তাক পৌৰাণিক ঘটনা বিলাকৰ পৰা আপুনি ভালকৈ বুজিছে। যুদ্ধ বৰ অপকাৰী। ভ্ৰাতৃবিৰোধ আৰু সাংঘাতিক। কৌৰৱ-পাণ্ডৱৰ ভিতৰত যুদ্ধ হ'লে তেহেলৈ যেন্তে জিকক লাগে, সেয়ে এখন শ্মশানত ৰাজ্য কৰিব লাগিব। তাক কোনেও নকৰক বুলিয়েইহে পাণ্ডৱে আপোনালৈ শান্তি প্ৰাৰ্থনা কৰি পঠিয়াইছে। যুদ্ধত কি ভীষণ পৰিণাম মহাৰাজ! যুদ্ধত মৃত্যু হোৱা বীৰবিলাকৰ বিধবাবিলাকে কৰুণ কান্দোনত যেতিয়া দিগ্বিদিক বিদীৰ্ণ কৰিব; যেতিয়া অনাথ লৰা ছোৱালী বিলাকে লোকৰ হাত-মুখলৈ চাই কাল কটাব; যুদ্ধৰ ফল স্বৰূপে যেতিয়া পৃথিবীত দুৰ্ভিক্ষ হ'ব; দুৰ্ভিক্ষৰ কবাল গ্ৰাসত মানুহবিলাক যেতিয়া ধ্বংস পাব; বীৰবিলাকৰ অভাৱত যেতিয়া নীচ প্ৰকৃতিৰ মানুহে নিছলা প্ৰজাক অত্যাচাৰ কৰিব; তেতিয়া মহাৰাজ! এইবিলাক কেনেকৈ চাই থাকিব? পুৰোহিতৰ কাম পৰৰ হিত চিন্তা কৰা। সেই কাৰণে মহাৰাজ! এই যুদ্ধৰ পৰা ক্ষান্ত হবলৈ অনুৰোধ কৰো। নহলে কুৰুক্ষেত্ৰ কুৰুৰ তেজেৰে ৰাঙলী হ'ব।

ধৃতৰাষ্ট্ৰ। ৰাঙলী হ'ব! সচা কৈছে ঋষি! ৰাঙলী হ'ব! যদুপতি, দেবৰ্ষি নাৰদ আৰু সভাসদসকলে যি কৈছে সকলো সঁচা। মই সকলোটি ভালকৈ বুজিছোঁ। আৰু বুজিছোঁ, ম'তে ধৰ্ম্ম ত'তে জয়। নাৰায়ণক সাৰথি লৈ মহাবীৰ পাৰ্থই যেতিয়া গাণ্ডিৱত শৰ জুবিব, তেতিয়া সেই শৰে কাক পুৰিব তাকো অনুমান কৰিছো। বুকোদৰৰ ভয়ঙ্কৰ গদাই যি ধ্বংসলীলা কৰিব তাৰ পৰিণাম বেছ বুজিছোঁ। মোৰ বৰ্ত্তমানত পঞ্চ পাণ্ডৱৰ ওপৰত যি অত্যাচাৰ কৰা হৈছে, চকুৰে নেদেখিলেও ভালকৈ বুজি ছোঁ। তথাপি যদুপতি! তথাপি, বুজিও মুখুজাত পৰিছোঁ। মই দুর্য্যোধনক ৰজাহঁলৈ বাকী বখা নাই। কিন্তু দুর্য্যোধনে মুখুজে, কি কৰিম! মই অন্ধ, ক্ষমতাহীন। (দুর্য্যোধনৰ প্ৰতি) দুর্য্যোধন! যদুপতি শ্ৰীকৃষ্ণ, দেবৰ্ষি নাৰদ, মহামতি ধৌম্য আৰু পিতাহঁকে আদি কৰি সভাসদসকলে যি কলে তুমি শুনিলা। এতিয়াও ভাবি চোৱা দুর্য্যোধন! ভ্ৰাতৃবিৰোধৰ কি ভীষণ পৰিণাম। অন্যায় নকৰিবা। ন্যায়মতে পাণ্ডৱক ইন্দ্ৰপ্ৰস্থ ইহঁক ইচ্ছা এৰি দিয়া। একেলগে এশ পাঁচজনে পৃথিবী ভোগ কৰা। তাকে কৰিলে ধৰ্ম্ম হ'ব। পৃথিবীত শান্তি হ'ব। কুৰুবংশ ৰক্ষা পাব।

দুর্য্যোধন। পিতা! দেহা থাকে মানে পাণ্ডৱৰ লগত সন্ধি কৰা অসম্ভৱ। পাশা খেলা ক্ষত্ৰিয়ৰ ধৰ্ম্ম। ধৰ্ম্মমতে পাণ্ডৱে সকলো হেৰুৱাই আগেই কোন লাজে ভিক্ষুকৰ দৰে মোক ৰাজ্য খুজিবলৈ আহে? কোন লাজেৰে সিহঁতে বিৰাট দৌন্দাদিৰ লগ লাগি আমাৰ লগত যুদ্ধ কৰিব খোজে? পিতা! অসম্ভৱ কথা কৈ মোক বিৰক্ত নকৰিবা।

দ্রোণ। অধৰাজৰ দুখত আমি বৰ দুখ পাইছোঁ। দুর্য্যোধন! এতিয়াও সময় আছে, ভাবি চোৱা, দহে ভাবি চোৱা। কুৰুবংশ ধ্বংস নকৰিবা। পৃথিবীত যাৱৎ চন্দ্ৰ দিবাকৰ অপযশ নথবা। সময় আছে দুর্য্যোধন! এতিয়াও অমৰবিজয়ী পাৰ্থই বাসুদেৱক সাৰথি লৈ গাণ্ডিৱত ওপ লগোৱা নাই। এতিয়াও ধৌম্য পুৰোহিতে শক্ৰ সৈন্যৰ নামত যজ্ঞান্নিত আহুতি দিয়া নাই। এতিয়াও ধৰ্ম্মপুত্ৰ যুধিষ্ঠিৰে তোমাৰ সৈন্যবাহিনীক ক্ৰোধচকুৰে চোৱা নাই। এতিয়াও মহাবীৰ বুকোদৰে প্ৰকাণ্ড গদাৰে কৌৰৱ-সৈন্য মথন কৰা নাই। এতিয়াও ক্ষত্ৰিয়কুমাৰসকলৰ সুকোমল

শৰীৰত শৰ বিদ্ধ হোৱা নাই। সেই দেখি এই সুযোগতে ভাবী হত্যাকাণ্ড ক্ষান্ত হওক। তুমি যুধিষ্ঠিৰক সম্মান কৰা। যুধিষ্ঠিৰে তোমাক স্নেহ কৰক। তাৰ সিদ্ধত কৌৰৱ পাণ্ডৱ ওভোদেলে পৃথিবী ভোগ কৰক।

দুর্য্যোধন। গুৰুদেৱ! আৰু সন্ধিৰ কথা নকৈ যুদ্ধৰ আয়োজন কৰিলে অনুগৃহীত হ'ম। আগ বাঢ়ক গুৰুদেৱ! আপোনাৰ শৰব প্ৰতাপত পাৰ্থ আৰু তেওঁৰ সাৰথি অহঙ্কাৰ চূৰ্ণ হ'ক। ঘৃণিত ভীমৰ বক্তমাংস মাটিত মিহলি হ'ক।

বিদুৰ। (এফালৈয়া হৈ স্বগতঃ) মূৰ্খ দুর্য্যোধন! তোৰ আগত সজ উপদেশ সকলো মিছা।

দুঃশাসন। সাৰধান দাদা! তোমাক এতিয়া ভীষ্ম দ্রোণসিংহে বন্দী কৰিব।

শকুনি। হেঃ হেঃ হেঃ বোপা দুর্য্যোধন! ক্ষত্ৰিয়ৰ সন্তান হৈ যুদ্ধলৈ নাপাহঁবিবা।

শ্ৰীকৃষ্ণ। তেন্তে যুদ্ধ অৱশ্যম্ভাবী। কুৰুক্ষেত্ৰত কালি পৰহি পৰা ভাৰত যুদ্ধ আৰম্ভ হ'ব। ক্ষত্ৰিয়ৰ শোণিতেৰে পৃথিবী প্লাবিত হ'ব। মহাৰাজ দুর্য্যোধন! এই শেষ বাৰ পাণ্ডৱৰ হৈ পাঁচখন গাওঁ ভিক্ষা কৰিছোঁ।

দুর্য্যোধন। অসম্ভৱ যদুপতি! অসম্ভৱ। ভীষ্ম-দ্রোণ বিদুৰৰ ভয়ৰ কাৰণ হলেও দুর্য্যোধনে জৰাসন্ধৰ ভয়ত দেশত্যাগী কৃষ্ণক ভয় নকৰে। দুর্য্যোধনক সকলো দোষৰ ভাগী কৰি পাণ্ডৱক ধাৰ্ম্মিক পতা কৃষ্ণৰ উচিত হোৱা নাই। ই পাণ্ডৱৰ সভাও নহয়, যাদৱৰ সভাও নহয়। যদুপতি! আপুনি দ্বিরুক্তি নকৰি পাৰ্থৰ সাৰথিত্বৰ সম্মান লাভ কৰি কুৰুক্ষেত্ৰৰ যুদ্ধ আৰম্ভ কৰক। মোৰ জীবিত অৱস্থাত পাণ্ডৱক পাঁচখন গাওঁ নালাগে সূচাগ্ৰ মেদিনীও এৰি নিদিওঁ। সুমেৰু লৱণৱ হলেও মোৰ প্ৰতিজ্ঞা লৱণৱ নহয়।

সাত্যকি। (খঙেৰে) সাৱধান কুৰুপতি! যাতে তোমাৰ অহঙ্কাৰ সহ্য নকৰে।

দুর্য্যোধন। সহ্য কৰিলেও দুর্য্যোধনে নকৰিবলৈ বাধ্য কৰিব।

শ্ৰীকৃষ্ণ। উত্তম কথা। সাত্যকি উঠা। সভাসদ— সকল আৰু ঋষি সকল! মই নির্দ্দোষী। দুর্য্যোধন ধাৰ্ম্মিক-ন্যায়নিষ্ঠ। কপট পাশা খেল, দ্রৌপদীৰ বস্ত্ৰ হৰণ, যতুগৃহ দাহ, ভীমসেনক বিষ প্ৰয়োগ আদি সকলো দুর্য্যোধনৰ ধৰ্ম্ম। পাণ্ডৱৰ সত্যবাদীপতা, পাণ্ডৱৰ দ্বাৰা কৌৰৱৰ উদ্ধাৰ আদি সকলো পাণ্ডৱৰ অধৰ্ম্ম। শুনা ধাৰ্ম্মিক দুর্য্যোধন! ই বাস্তবিকতে উত্তম কথা। কুৰুক্ষেত্ৰত ধৰ্ম্মাধৰ্ম্মৰ বিচাৰ হ'ব। পাণ্ডৱৰ দূত-স্বৰূপে মই কৌৰৱ সমাজক কুৰুক্ষেত্ৰত বল পৰীক্ষা কৰিবলৈ নিমন্ত্ৰণ কৰিলোঁ। মহাৰাজ ধৃতৰাষ্ট্ৰ! তেন্তে এতিয়া বিদায়। (যাব খুজি আকৌ উভতি আহে), মোৰাব আগতে কৈ যাওঁ মহাৰাজ! দুর্য্যোধনে মোক সভাত বন্দী কৰিবলৈ চেষ্টা কৰাৰ কথাও মই শুনিছোঁ। হাঃ হাঃ হাঃ (ডাঙৰকৈ হাঁহে) ধাৰ্ম্মিক দুর্য্যোধনৰ কি সুন্দৰ উপায়! (প্ৰকৃতিস্থ হৈ খঙেৰে) কি দোষত দুর্য্যোধনে মোক বান্ধিব খুজিছে, জানিব পাৰোনে? কুৰুপতি! কোনে কাক মাৰিব পাৰে, কোনে কাক বান্ধিব পাৰে? মূৰ্খ কৌৰৱ! এতিয়াই মই দেখুৱাব পাৰো। কিন্তু মহাৰাজ ধৃতৰাষ্ট্ৰ! আপোনাৰ কাৰণেই ক্ষমা। অভিমানী অহঙ্কাৰী দুর্য্যোধন! তোৰ লগৰীয়া পাণ্ডৱবোৰে সৈতে চাই ল কোন ক'ত আছে। কোন কাৰ গৰাকী। (শ্ৰীকৃষ্ণৰ গাত দিব্যজ্যোতিৰ আৱিৰ্ভাব। ভীষ্ম, দ্রোণ, বিদুৰ, ধৃতৰাষ্ট্ৰ, মুনিঋষি আদিৰ বাহিৰে সকলোৱে মূর্চ্ছা)

ধৃতৰাষ্ট্ৰ। প্ৰভু! দীন অন্ধলৈ চাই ক্ষমা কৰক।

ভীষ্ম। প্ৰভু!

নাৰদ। নাৰায়ণ!

২য় অঙ্ক

১ম দৃশ্য

হস্তিনাৰ আলিবাট। কর্ণৰ খৰৰ আগ।

(কর্ণৰ লগত কথা পাতি শ্ৰীকৃষ্ণৰ প্ৰবেশ। পাছে পাছে সাত্যকি)

শ্ৰীকৃষ্ণ। ভাবি চোৱা কর্ণ, কেনে সুন্দৰ প্ৰস্তাৱ! পৃথিবীবিখ্যাত দাতাকর্ণ তোমাৰ ভ্ৰাতৃ কোন? পঞ্চপাণ্ডৱ, দ্রৌপদীৰ পঞ্চপুত্ৰ আৰু অভিমন্যু আদিয়ে তোমাক

ভৃত্যের দরে পরিচর্য্যা করিব। যুধিষ্ঠির আদি পঞ্চপাণ্ডবে তোমার ভরি ধুরার। তুমি হ'বা মহারাজ কর্ণ, যুধিষ্ঠির যুবরাজ। ভীম তোমার ছত্রধারী; ধনঞ্জয় সারথি। পৃথিবীর বন্ধাই তোমাক পূজা করিবন। মই বৃষ্ণিবংশলৈ তোমার পাছে পাছে যাম। এনে সম্পদ ভোগ করা কর্ণ!

কর্ণ। হে নারায়ণ! তোমার কৃপাত কর্ণই সকলো জানে। সূর্য্যর বরত মই কুন্তীর নন্দন বুলি ভালকৈ জানো। ইয়াকো জানো, মাতৃয়ে মোক বিসর্জ্জন দিলে। মোক মৃত্যুর মুখত সুমাই দিলে। অধিরথ আরু রাধাই মোক মৃত্যুর মুখৰ পৰা টানি আনি পোহপাল দিছে। সকলোরেই জানে নারায়ণ! মই হীন কর্ণ সূতর পুত্র। দুর্য্যোধনে মোক উদার ভাবে সাবট মাৰি ধৰ অপমানৰ পৰা রক্ষা কৰিছে। অশেষ অনুগ্রহ কৰি সাগাম সূতৰ পুত্র বুলি জানিও অঙ্গদেশৰ ৰজা পাতি পোহপাল দিছে। ৰাজ্য পালেও মই দুর্য্যোধনকেই দিব লাগিব। দুর্য্যোধনৰ কৃপাত মোৰ কোনো অভাব নাই। হে দামোদৰ! অর্জ্জুনেৰে সৈতে যুদ্ধ কৰিম বুলি মই কৌৰৱৰ আগত প্রতিজ্ঞা কৰি থৈছো। মই সত্য ভঙ্গ কৰিব নোৱাৰোঁ। তথাপিও নাৰায়ণ! এইটো ভালকৈ জানো, পাণ্ডৱৰ জয়, কৌৰৱৰ ক্ষয়। য'তে ধর্ম্ম ত'তে কৃষ্ণ, যতে কৃষ্ণ ত'তে জয়। কোনে কাক বধ কৰিব মই তাকো জানো। অর্জ্জুনৰ হাতত মোৰ মৃত্যু অনিবার্য্য। তথাপি যদুপতি! সত্য রক্ষা কৰিবই লাগিব। আশীর্ব্বাদ কৰিব, যাতে কর্ণ সত্যভ্রষ্ট নহয়। কিন্তু যুধিষ্ঠিৰক এই গুপ্ত বংশ নজনালৈকে মঙ্গল।

শ্রীকৃষ্ণ। সকলো জানো কর্ণ! তথাপি সুধি চাইছোঁ। তোমাৰ সত্য রক্ষা হোৱাই শ্রেয়। তোমাক সহোদৰ জ্যেষ্ঠ বুলি জানিলে যুধিষ্ঠিৰে যুদ্ধ পরিত্যাগ করিব। সেইটো মোৰ উদ্দেশ্য নহয়। পাণ্ডৱে ন্যায় অংশ পাবই লাগিব।

কর্ণ। (হাঁহি হাঁহি) কৃষ্ণৰ ছলনাৰ হাত আজলী গোপিনীয়েও সাৰিব নোৱাৰে।

শ্রীকৃষ্ণ। মেয়ে মোৰ ধর্ম্ম কর্ণ!

কর্ণ। সুন্দৰ ধর্ম্ম যদুপতি! তেনে—

শ্রীকৃষ্ণ। তেনে আৰু নাই অঙ্গৰাজ! বেৰা নাপাবা। আজিলৈ বিদায়। আকো আন এদিন···

সাত্যকি। এবা, পলম হৈছে কর্ণ! যাওঁহে।

কর্ণ। বান্ধি থবৰ হে ইচ্ছা হয়। পাছে পাণ্ডৱৰ হাতত থকা এনাজৰীডাল নাই। মোৰা মোৰা দেও, নগলে পাণ্ডৱে সুধায় এবিবনে?

[কৃষ্ণ আৰু সাত্যকিৰ হাঁহি প্রস্থান।

কর্ণ। (স্বগতঃ) হে নারায়ণ! দীনহীন কর্ণৰ সহস্র সহস্র সেৱা গ্রহণ করা। আকৌ আন এদিন লগ পোৱা হয় নহয় তাক তুমিয়েই একমাত্র জানা। লগ পালে তাক ভ্রাতৃভাৱেই নে শত্রুভাৱেই তাকো তোমাৰ অবিদিত নাই। (অলপ পৰ ইফাল সিফালকৈ ভাবি) দিনমণি! কি দোষত কর্ণক তোমাৰ পুত্রত্বৰ পৰা বঞ্চিত কৰিলা? (ভাবি) ভাল কৰিলা। ৰাধাৰ নন্দনো যেনে সূর্য্যৰ নন্দনো তেনে। সুতেই হওঁ বা সূতৰ পুত্রই হওঁ, যেয়ে হওঁ লাগে, দৈবৰ হাত কুলৰ বিচাৰ। মোৰ হাতত মাত্র পুকৰালি। (ভাবি ভাবি যাব খোজে, এনেতে কুন্তীৰ প্রবেশ।)

কুন্তী। (স্বগতঃ) এয়া, এয়া, মহাবীৰ কর্ণ! মোৰ পুত্র কর্ণ—সূর্য্যৰ নিচিনা তেজস্বী, কি সুন্দৰ মোৰ জ্যেষ্ঠ পুত্র কর্ণ। অভাগিনী কুন্তী! তই আজি এনে পুত্রৰ পৰা বঞ্চিত। হে সূর্য্যদেৱ! অভাগীনীক কি বৰ দিলা? পুত্রই নিজৰ মাতৃক চিনি নাপায়। মাতৃয়ে পুত্রক পুত্র বুলিব নোৱাৰে—কি আচাৰিত অনুগ্রহ!

কর্ণ। অ'আপুনি পাণ্ডৱ-জননী।

কুন্তী। অকল পাণ্ডৱ-জননী নহয় বাছা! মহাবীৰ কর্ণৰো অভাগিনী জননী।

কর্ণ। (হুমুনিয়াহ পেলাই) দেবী! পৃথিবীবিখ্যাত চন্দ্রবংশোদ্ভৱ কুককুলৰ পঞ্চসিংহ স্বৰূপ পঞ্চ পাণ্ডৱৰ জননী কর্ণৰ জননী হ'ব কেনেকৈ? কর্ণ ইমান ভাগ্যবান নহয়। কর্ণ সূত, ৰাধাৰ নন্দন—তাৰ পিতা অধিরথ।

কুন্তী। নহয় বাছা! তুমি তোমাৰ জন্মবৃত্তান্ত জনা নাই।

কর্ণ। মোৰ জন্মবৃত্তান্ত মই সকলো জানো।

কুন্তী। স'চাকৈয়ে জানা?

কর্ণ। (উত্তেজিত হৈ) স'চাকৈয়ে জানো। কর্ণৰ মিছা কোৱাৰ অভ্যাস নাই। মোৰ মাতৃয়ে মোক নিষ্ঠুৰভাৱে অনাথ আৰু অজান অৱস্থাত নৈত উটাই দিয়া কথা গেৰুকৈ জানো। আৰু জানো, সেই নিষ্ঠুৰ প্রকৃতিৰ মাতৃ পাণ্ডৱৰো মাতৃ। পাঞ্চপাণ্ডৱক সাৰট মাৰি ধৰি নিষ্ঠুৰভাৱে কর্ণক মৃত্যুৰ মুখলৈ ঠেলি দিয়া, কর্ণক শত সহস্র লাঞ্ছনা-অপমান সহি থাকিবলৈ এৰি দিয়া মাতৃ এতিয়া মোৰ সম্মুখত উপস্থিত। নহয়! নহয়! কুন্তী! মই ৰাধাৰ নন্দন। যেয়ে মোক তুলিলে-তালিলে, যাৰ অনুগ্রহত জীয়াই আছো, চকু মেলি যাৰ স্নেহৰ মূর্ত্তি দেখিছো, জ্ঞান পাৱৰ পৰা যাক নিজে নিজে মাতৃ বুলি ভাবিছো, সেয়েহে মোৰ মাতৃ। লোকে কোৱা কুন্তী মোৰ মাতৃ নহয়।

কুন্তী। বাছা! (তলমুৱ কৰি চকুপানী টোকে)

কর্ণ। মই ক্ষত্রিয়ৰ জন্ম লৈছিলো কুন্তী! তোমাৰ নিষ্ঠুৰ কার্য্যৰ দ্বাৰা মই ক্ষত্রিয়ৰ কুল হেৰুৱাই সূত হ'ব লগাত পৰিলো। ইয়াতকৈ বেছি অপকাৰ পৃথিবীত আৰু কোনোবাই কাৰবাৰ কৰিব পাৱেনে?

কুন্তী। বাছা! তুমি মোক ক্ষমা নাই। মোক ক্ষমা করা। (তলমুৱ কৰি চকুপানী টোকে)

কর্ণ। (উত্তেজিতভাৱে ইফাল সিফাল কৰি হঠাৎ শান্ত হৈ) ভুল হ'ল মাতৃ! ক্ষমা কৰক। কর্ণ আজি জানি শুনিও কৌৰৱ দাস হৈছে। ঈশ্বৰৰ ইচ্ছাৰ বিৰুদ্ধে কোনেও একো কৰিব নোৱাৰে। ই দৈবৰ লিখন। কিন্তু মই মাতৃ! দুর্য্যোধনৰ ওচৰত কৃতজ্ঞ। দুর্য্যোধনক মই উৎসাহ দিছোঁ, সাহ দিছোঁ আৰু ভৰসা দিছো। এই যুদ্ধত মই দুর্য্যোধনৰ ফলীয়া হওঁই লাগিব। যেতিয়া পার্থই পার্থ-সাৰথি নাৰায়ণৰ সৈতে যুদ্ধক্ষেত্রত দেখা দিব তেতিয়া কোনো ক্ষত্রিয়ই ভয় নকৰাকৈ নাথাকে। মোক আনে সকলোৱে ৰাধাৰ নন্দন বুলি। এনে স্থলত কৃষ্ণার্জ্জুনক একত্র দেখি উপস্থিত যুদ্ধৰ সময়ত পাণ্ডৱৰ লগ ললে ৰাধাৰ নন্দন হৈও ফিকৰা সমান নিজৰ পুকৰালিৰ দ্বাৰা আর্জ্জিছো সিও নাইকিয়া হ'ব। সকলোৱে ক'ব, নীচভাৱে প্রাণৰ ভয়ত মিছা কথা কৈ পাণ্ডৱৰ লগ লৈছে।

কুন্তী। ই যথার্থ সত্য, কর্ণ!

কর্ণ। কর্ণৰ মানত সত্য মাথোন এটা। সাধাৰণ সত্য আৰু যথার্থ সত্য কর্ণই বুজি নাপায়। আপুনি কোৱা কথা সত্য হলেও মাতৃ! সত্য গ্রহণ কৰা লোকৰ ৰব অভাৱ। তাতে মই প্রতিজ্ঞাবদ্ধ। মই দুর্য্যোধনক সহায় কৰিবেই। দুর্য্যোধনৰ ধাৰ শুজিব উত্তম সুযোগ হৈছে। আপোনাৰ পুত্রৰ ভিতৰত মাত্র অর্জ্জুনৰ সৈতেহে যুদ্ধ কৰিম। বাকী চাৰিজনক একো নকৰো। হয় অর্জ্জুনক বধ কৰি দুর্য্যোধনৰ উপকাৰ কৰিম নহয় অর্জ্জুনৰ হাতত মৰি যশ লাভ কৰিম। যেনেতেকৈ আপোনাৰ পাঁচ পুত্র জীয়াই থাকিবই। কিন্তু মাতৃ য'তে ধর্ম্ম ত'তে জয়। আপোনাৰ পঞ্চসিংহৰ তুল্য পঞ্চপাণ্ডৱ একেৰেই থাকিব। কর্ণৰ নিধন অৱশ্যম্ভাবী।

কুন্তী। বাছা কর্ণ! তোমাৰ কথাত মোৰ আৰু কৱলৈ একো নাই। কিন্তু তুমি যে পার্থৰ বাহিৰে আন চাৰিজনক অভয় দিলা সেই কথা যেন মনত থাকে। বাছা! তোমাৰ প্রতিজ্ঞা রক্ষা হওক। পৃথিবীত তোমাৰ যশ উপচি পৰক। [প্রস্থান।

কর্ণ। (স্বগতঃ) ঈশ্বৰৰ ইচ্ছা, দৈবৰ লিখন, ইয়াক খণ্ডন কৰা অসম্ভব। সোৱা শকুনি মামা আছিহে। ভালেতিহে মাতৃ হঠাৎ শুচি গ'ল। যেই হ'ক শকুনিৰ মুখে সকলো সংবাদ পোৱা হ'ব। আৰু বেছি দিন নাই। ভগৱন্তৰ ইচ্ছা সেইহে তোমাৰ দুর্য্যোধনৰ ৰাজসভাত আবির্ভাৱ।

(শকুনিৰ প্রবেশ)

শকুনি। এ, তুমি কর্ণ! মই তোমাক বিচাৰি ফুৰিছো দেও। বেছ বেছ ইয়াতে আছা। মই বোলো বা সলিলিয়ান কৃষ্ণৰ কথাত গলি সিফলীয়াই হ'ল।

কর্ণ। মামা, কর্ণ কর্ণই। আন কোনো নহয়।

শকুনি। বেছ, বেছ, কিন্তু কথাটো ভাল নহয় দেই। তুমি হেন মহাবীৰ থাকোতে সদায় পাণ্ডৱৰ ফলীয়া হৈ থকা বৃদ্ধ ভীষ্মক সেনাপতি পদ্ত কোনো মতেই যুক্তিসঙ্গত হোৱা নাই। দুর্য্যোধনে নিজৰ ভৱিত নিজে কুঠাৰ মাৰিছে। ভীষ্মই দহদিন যুদ্ধ কৰিবলৈ প্রতিজ্ঞা কৰিছে।

কর্ণ। ভাল কৰিছে, বুঢ়া সকলোতে আগবঢ়া উচিত।

কিন্তু মই ভীষ্ম সেনাপতি থাকে মানে যুদ্ধ নকৰো। বাৰু মই যাওঁ। [অন্যমনস্কভাৱে প্ৰস্থান।

শকুনি। কথাই বিন্ধিলে দেই। দুৰ্য্যোধনক প্ৰথমতে পাণ্ডৱক অন্যায় নকৰিবলৈ প্ৰতি-প্ৰতিকৈ হাক দিলো, নুশুনিলে। লাহে লাহে মোৰ প্ৰতিহিংসাৰ জুই জ্বলি উঠিছে। অহ! (মূৰত হাত দিয়ে) সিহঁতে মোৰ বৃদ্ধ পিতামাতাক মোৰ শত ভ্ৰাতৃক তিলতিলকৈ বধ কৰিলে। তাৰ প্ৰতিশোধ মই লবই লাগিব। সৌৱা মোৰ পিতা, মাতা, ভাই সকলোৱে মোলৈ অপেক্ষা কৰিছে। (বলিয়াৰ দৰে) ৰবা, ৰবা গৈছো। হাঃ, হাঃ, হাঃ, কি সুন্দৰ সময় উপস্থিত! মোৰ শান্তি ইয়াতেই। কি আনন্দ! কি আনন্দ! কুৰুক্ষেত্ৰৰ যুদ্ধ আৰম্ভ! ৰথী পাৰ্থক লৈ সাৰথি কৃষ্ণই জ্বলন্ত হুতাশনৰ দৰে কুৰুবংশ ধ্বংস কৰিবলৈ যুদ্ধ-ক্ষেত্ৰত অৱতীৰ্ণ। হৃদয় আনন্দ কৰ। হৃদয় আনন্দ কৰ। (অলপ ঘূৰে আকৌ গম্ভীৰ হৈ) পিতা! ৰবা গৈছো। তোমাৰ অস্থিনিৰ্ম্মিত পাশতিয়ে (পাশতি দেখুৱাই) সিহঁতক মৃত্যুৰ মুখলৈ টানি আনিছে। বেছি সময় নাই। নৰমেধযজ্ঞ আৰম্ভ। হাঃ হাঃ হাঃ কি সুন্দৰ! কি আনন্দ! হাঃ হাঃ—হে বীভৎস নমস্কাৰ।

(উত্ৰাৱল হৈ প্ৰস্থান। অলপ পিছত কৰ্ণৰ প্ৰবেশ)

কৰ্ণ। (ভাবে) মামাৰ সম্বাদটোত মনটো উত্ৰাৱল হৈছে। তাৰ গতিৰোধ কৰিব নোৱাৰি মামাৰ ওচৰৰ পৰা উচাট মাৰি গুচি গলো। মামাই বেয়া পালে চাগৈ। মনটো দমাই ঘূৰি আহিলো। তেওঁ ইতিমধ্যে কোনোবাখন পালেগৈ। তেওঁৰ আৱশ্যক বৰ বেছি। ধ্বংস-যজ্ঞৰ হোতা তুমি—তোমাৰ আৱশ্যক নাথাকি আৰু থাকিব কাৰ? বিধিৰ বিধান কাৰ ক'ত কি হ'ব লাগে কোনে জানে, কালৰ চক্ৰত ৰজা বাটৰ ভিক্ষাৰী, খুদ-মগনিয়াৰ ৰাজ-চক্ৰবৰ্ত্তী। কৰ্ণৰ ভাগ্যতো কি আছে কোনে জানে! বিধিৰ বিধান (হুমুনিয়াহ কাঢ়ি হাত সাবটি তলমূৰ কৰি)! কৰ্ণ! তোৰ মাতৃ পৃথিৱী-বিখ্যাত পঞ্চ-পাণ্ডৱৰ মাতৃ কুন্তী! তোৰ পিতা জগতৰ প্ৰাণদাতা স্বয়ং আদিত্যদেৱ। তথাপি বিধিৰ বিধানত সি ৰাধাৰ নন্দন, অধিৰথ সুতৰ পুত্ৰ। সমাজৰ ঘৃণাৰ পাত্ৰ। মানুহৰ মানুহ হৈ সি সামান্য কুকুৰতকৈও অধম! ইহাতে সেই মানুহৰ মাজৰে জন্মৰ পৰা সন্মান গাত লাগি অহা দুৰ্য্যোধনৰ অনুগ্ৰহত সি আজি অঙ্গ দেশৰ অধিপতি! জগত চাই ল—বিধিৰ বিধানৰ বিচিত্ৰতা। (অলপ ভাবি উৎসাহেৰে) হলেই যেনিবা সুতৰ নন্দন, তথাপি কৰ্ণ পুৰুষ। পুৰুষত্বত তাক চেৰ পেলাব পৰা অহংকাৰী ক্ষত্ৰিয় সমাজত অনেক কম লোকহে আছে। হক ধ্বংসলীলা, তাত কোনো আপত্তি নাই। অহঙ্কাৰী ক্ষত্ৰিয় সমাজ লুপ্ত হ'ক তাত কৰ্ণৰ একো হানি-বিঘিনি নাই। নাৰায়ণ! তুমি যি কৰিছা ভালেই কৰিছা। কৰ্ণ সুখী—কৰ্ণৰ পদ্মাৰ নিচিনা ভাৰ্য্যা আৰু বৃষকেতুৰ নিচিনা পুত্ৰ আছে। (আঁতৰলৈ চাই) অ, সেই বৃদ্ধ ব্ৰাহ্মণজন মোৰ ফাললৈকে আহিছে। বৰ বুঢ়া দেহি! বিধিৰ বিধানত তেওঁ আজি বৃদ্ধ। তেওঁ চাগৈ এদিন দুৰ্দ্দান্ত যুৱক আছিল। তেওঁৰ ৰূপত চাগৈ কত ৰমণী মোহ গৈছিল।

(ইন্দ্ৰৰ বুঢ়া বামুণৰ বেশে কঁপি কঁপি লাখুটি লৈ প্ৰবেশ।)

ইন্দ্ৰ। (স্বগতঃ) এয়া কৰ্ণ। সূৰ্য্যৰ নন্দন, মহা-প্ৰতাপী অমিত বিক্ৰমশালী কৰ্ণ। জগতৰ যেন আন এজনা সূৰ্য্যদেৱ। এই ছলতে কবচ আৰু কুণ্ডল নিব পাৰিলে পুত্ৰ অৰ্জ্জুনে কৰ্ণ বধ অনায়াসে কৰিব পাৰিব। কৰ্ণৰ ভাৰ্য্যা পদ্মাৰ কাৰণে কৰ্ণক লগ পোৱাই টান। (কৰ্ণৰ ওচৰ চাপি কঁপি কঁপি থোকাথুকি মাতেৰে) অঙ্গপতি মহাৰাজ কৰ্ণৰ জয় হওক।

কৰ্ণ। (মুৰ দোঁৱাই) আপুনি কোন, ক'ৰ পৰা আহিছে?

ইন্দ্ৰ। মই এজন ভিক্ষাৰ্থী বৃদ্ধ ব্ৰাহ্মণ।

কৰ্ণ। অহাৰ আৱশ্যক কি?

ইন্দ্ৰ। সামান্য এটি ভিক্ষা বিচাৰি আহিলো মহাৰাজ! শুনিলো, দাতাকৰ্ণই কাকো বিমুখ নকৰে।

কৰ্ণ। কওক, আপোনাক কি লাগে?

ইন্দ্ৰ। সত্য নকৰিলে কব নোৱাৰোঁ।

কৰ্ণ। (স্বগতঃ) কোনে বা কি উদ্দেশ্যে এই বেশ ধৰি মোৰ ওচৰলৈ আহিছে, তাক কোনে জানে? (অলপ ভাবি) যেই হ'ক মোৰ প্ৰতিজ্ঞা ভিক্ষাৰ্থীক বিমুখ নকৰো।

ইন্দ্ৰ। কি ভাবিছে মহাৰাজ! নিদিয়ে যদি যাওঁ।

কৰ্ণ। হে দ্বিজৰাজ! নিশ্চয় দিম, তাত ভাবিব লগীয়া নাই। যদি মোৰ প্ৰাণ বিচাৰে, তাকো দিম।

(হঠাৎ উত্ৰাৱল হৈ পদ্মাৰ প্ৰবেশ)

পদ্মা। নাথ! ক্ষান্ত হওক। এই বৃদ্ধই কেবাবাৰো আপোনাক ছলিবলৈ বিচাৰিছে। মোৰ বাধাত লগ ধৰিব পৰা নাই। (কৰ্ণক আঁৰ কৰি বৃদ্ধৰ প্ৰতি) দূৰ হ বৃদ্ধ! মোৰ আগত মোৰ স্বামীক তই ছলিব খুজিছ? (কৰ্ণৰ প্ৰতি) নাথ! আপুনি এই বৃদ্ধক দূৰ কৰক। মই বৰ বেয়া সপোন দেখিছো। এই বৃদ্ধ সাক্ষাৎ কাল-স্বৰূপ।

কৰ্ণ। নহয় পদ্মাৱতী! যিহকে বিচাৰে তাকে দিবই লাগিব—প্ৰাণ পৰ্য্যন্ত প্ৰতিজ্ঞা।

পদ্মা। (কাণত আঙ্গুলী দিয়াৰ দৰে উচাপ খাই) নাথ! ...

কৰ্ণ। (ডাঙ্গৰকৈ অথচ কৰুণ সুৰে) তুমি ইয়ালৈ কিয় আহিলা পদ্মা?

পদ্মা। মই কাৰেঙৰ পৰা আপোনাৰ গতিবিধি লক্ষ্য কৰি আছিলো। (ভৰিত ধৰিবৰ উদ্দেশ্যে আঁঠু কাঢ়ি) মোক এটা বৰ দিয়ক নাথ!

কৰ্ণ। (কৰুণ সুৰে) কি বৰ পদ্মা?

পদ্মা। এই বৃদ্ধক আপুনি দূৰ কৰক, এয়ে বৰ।

কৰ্ণ। ই একো বৰ নহয় পদ্মাৱতী! মই ব্ৰাহ্মণক দান দিবলৈ প্ৰতিজ্ঞা কৰিছোঁ।

পদ্মা। কি দান?

কৰ্ণ। আৱশ্যক হ'লে প্ৰাণ পৰ্য্যন্ত।

পদ্মা। (কাওবাও কৰি) নাথ!

কৰ্ণ। বিশেষ একো নহয় পদ্মা! তুমি তোমাৰ উপ-যুক্ত পুত্ৰেৰে সৈতে ঐশ্বৰ্য্য ভোগ কৰা। মই অনুৰোধ কৰিছোঁ—প্ৰতিজ্ঞা ভঙ্গ কলঙ্কেৰে মোক কলঙ্কিত নকৰিবা।

পদ্মা। (হতাশ হৈ বৃদ্ধৰ প্ৰতি খঙ্গেৰে) যমৰ নিচি-নাকৈ মোৰ পতিৰ ওচৰ চাপি বৃদ্ধ তই ক'ৰপৰা আহিলি?

ইন্দ্ৰ। (অকৰালি কৰি) মই ক'ৰ পৰা আহিছো ক'বই নোৱাৰোঁ। মহাৰাজৰ নাম দাতা বুলি শুনি আহিছোঁ, দান বিচাৰি। আইদেৱে যদি ইমান খং কৰিছে যাওঁগৈয়ে। (যাব খোজে)

কৰ্ণ। নাযাব দেউ, নাযাব। মই আপোনাক দান দিম। পদ্মাৱতী! তুমি যদি কায়মনোবাক্যেও মোক পতি বুলি ভাবা, তেন্তে মই কৈছো, তুমি ইয়াৰ পৰা কাৰেঙলৈ যোৱা।

পদ্মা। নাথ! (ওপৰলৈ হাত কৰি) হে প্ৰভু! স্বামীক ৰক্ষা কৰা। [চকুলো টুকি প্ৰস্থান।

কৰ্ণ। আপোনাক কি লাগে?

ইন্দ্ৰ। বিশেষ একো নালাগে মহাৰাজ! মাত্ৰ আপোনাৰ কবচ আৰু কুণ্ডল।

কৰ্ণ। (চক খাই পাছ হুঁহকি) কবচ-কুণ্ডলেৰে আপুনি কি কৰিব? তাৰ বাহিৰে যিহকে লাগে তাকে দিওঁ।

ইন্দ্ৰ। মহাৰাজ! প্ৰতিজ্ঞা মনত ৰাখিব। প্ৰাণ দিবও খুজিছিল।

কৰ্ণ। ৰাজ্য, ধন, সম্পদ, দাস-দাসী।

ইন্দ্ৰ। (হাতৰ ঠাৰেৰে অস্বীকাৰ কৰি) ওঁহো সেই-বোৰ একো নালাগে।

কৰ্ণ। (স্বগতঃ) পদ্মাৱতীৰ সমাজিক ফলিয়াইছে। ঠিক মোক ছলনাহে কৰিলে। কি হ'ব, ঈশ্বৰৰ ইচ্ছা। এওঁ নিশ্চয় দেৱৰাজ ইন্দ্ৰ। কবচ কুণ্ডল থাকিলে এওঁৰ পুত্ৰ ধনঞ্জয়ে মোক বধ কৰিব নোৱাৰে। সেই-দেখি কবচ কুণ্ডল নিবলৈ আহিছে। (ফুটাই কৰযোৰে) আৰু ছলনাৰ আৱশ্যক নকৰে দেৱৰাজ! অৰ্জ্জুনৰ বিপদৰ কাৰণে ইমান ভয় কেলৈ? সাক্ষাৎ নাৰায়ণ যাৰ ৰথৰ সাৰথি তাৰ কাৰণে ইমান ভয় নকৰিলেও হ'ব। অৰ্জ্জুনৰ হাতত মোৰ মৃত্যু হ'বই। সেইটো মই বুজিছোঁ। আপুনি সহায় মাত্ৰ। (অস্ত্ৰ লৈ কবচ-কুণ্ডল দিয়ে) নিয়ক এই কবচ কুণ্ডল। আপোনাৰ সন্তোষ হওক।

ইন্দ্ৰ। (বুঢ়া ভাও এৰি পোনেই স্বাভাৱিক মাতেৰে) বাছা! তোমাৰ দাতাকৰ্ণ নাম সাৰ্থক হৈছে। তোমাৰ দানত মই সন্তোষ পাইছোঁ। কি বৰ লাগে কোৱা?

কৰ্ণ। মোক বধ কৰিবলৈ আহি, বধ কৰাৰ পথ প্ৰশস্ত কৰি দেৱৰাজেনো কি বৰ দিব? তথাপি যদি দিবৰ মন

গৈছে, তেন্তে আপোনাৰ একাগ্নি অস্ত্ৰ মোক দান কৰক।

ইন্দ্ৰ। হোৱা কৰ্ণ! মই তোমাক একাগ্নি অস্ত্ৰ দান কৰিলোঁ। এই অস্ত্ৰ ব্যৰ্থ কৰিব পৰা পৃথিবীত কোনো নাই। [প্ৰস্থান।

কৰ্ণ। (স্বগতঃ) এহাতে ইন্দ্ৰই কৱচ কুণ্ডল নিলে, আনহাতে অৰ্জ্জুনক বধ কৰিব পৰা একাগ্নি অস্ত্ৰ দান কৰিলে। হায়! বিচিত্ৰ সংসাৰ! পদ্মাৱতী! দেহি সতীৰ পতিলৈ কিমান হেঁপাহ! পদ্মাৱতী তুমি দেবী; মানৱী নোহোৱা। সংসাৰত সকলো যেন তোমাৰ নিচিনা সতী তিকতাৰ স্বামী হয়। [প্ৰস্থান।

(ক্ৰমশঃ)

জন্ম-নির্ণয়

—শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস

'জন্ম-নির্ণয়' নামৰ পুৱনি পুথি এখন কেই দিনমানৰ কাৰণে মোৰ হাতত পৰিছিল। পুথিৰ মালিক হৈছে সুন্দৰীদিয়া সত্ৰৰ ভক্তিভাজন শ্ৰীশ্ৰীযুক্ত হেমকান্ত দেৱ অধিকাৰী প্ৰভু। তেখেতে অনুগ্ৰহ কৰি এই পুথিখন পঢ়ি চাই কাকতত মোক এটা চমু আভাস দিবলৈ কৈছে; নিজৰ ক্ষুদ্ৰ সামৰ্থ্যমতে গুৰুবাণী কামত পৰিণত কৰা হ'ল। তেখেতৰ এনে অনুগ্ৰহে মোক চিৰদিন কৃতজ্ঞতা পাশেৰে আবদ্ধ কৰি ৰাখিব।

পুথিখন সাঁচিপতীয়া পুথিৰ পৰা কাকতত নকল কৰি তোলা; এনে কৰাত কোনো কোনো ঠাইত আখৰকে মাতিব পৰা টান হৈ পৰিছে; এনে মূল্যবান পুথি বিলাক বিশেষ সাৱধানেৰে ভাল চিনাহীৰে পৰিপাটিকৈ লিখা ভাল। পুথিখন ৪৩টা পাতত লিখা, তাৰে ওটা পাতৰ দুয়ো পিঠিত লিখা। ৪৩৮টা পৰত পুথিখন শেষ হৈছে।

বৰ্ত্তমান হৈছে প্ৰকাশ বা প্ৰচাৰৰ যুগ। এনে সময়ত যিসকল সদাশয় লোকৰ ঘৰত মূল্যবান পুৱনি পুথি আছে, সেইবিলাক প্ৰকাশ কৰি দিলে আমাৰ সাহিত্য সম্পদ বাঢ়িব। আগৰ আতাসকলৰ জীৱন-কাহিনী কোনো কোনো লোকৰ হাতত থকা বুলি খবৰ পাইছোঁ; সেই-বিলাক পুথিও পোহৰলৈ আহিলে তাৰ মূল্য বাঢ়িব,—বিশ্ব-সাহিত্যত ঠাঁই পাব।

'জন্ম-নির্ণয়'ৰ প্ৰথমতে আছে—

৺শ্ৰীৰাম শ্ৰীকৃষ্ণয়ে নমু।
জয় জয় অনাদি ঈশ্বৰ ভগৱন্ত।
জয় জয় ব্ৰহ্মা বিষ্ণু মহেশে সেৱন্ত॥
হেনয় পৰমানন্দ ব্ৰহ্মানন্দ নায়ক—
চন্দ্ৰ সূৰ্য্য অগ্নি জাৰ আজ্ঞা বিধায়ক॥ ১
হেনয় কৃষ্ণৰ পাৱে কৰি নমস্কাৰ।
ইতিহাস কথা কিছু কৰিবু প্ৰচাৰ॥

* * *

শ্ৰীশঙ্কৰ নাম্তি নাম পুৰুষোত্তম।
পণ্ডিতৰ বাদ শুনি কৰিলা ওঁগম॥ ৪
আথাৰ পুৰাণ চাই জত সাৰ পাইলা।
দুতয় হাজাৰ শ্লোক এক থান কৈলা॥
সাৰাধা অজাৰ হাতে সেই শ্লোক থৈলা।
পুৰুষোত্তমে জে তাৰ পদ নকৰিলা॥ ৫



নৃত্যবেশে

শিল্পী—শ্ৰীচাক সেন

লক্ষ্মীবিলাস প্ৰেছ লিমিটেড, কলিকতা

কবিৰাজ মিশ্রে সেই শ্লোক সব পাইলা।
পৰম আনন্দে তাৰ পদক কৰিলা॥
মহাজন সবৰ সম্মত অনুসোৰি।
গুরুৰ চৰণে মনে নমস্কাৰ কৰি॥ ৩
জনম নির্ণয় নামে গ্রন্থ অনুপাম।
শুনা সভাসদ সব তেজি আন কাম॥

কেওঁথনো শাস্ত্রৰ সাৰ-কথাখিনি উদ্ধাৰ কৰি আনি ইয়াত লিখা হৈছে। পুথিখনৰ প্রথমতে বসুদেৱ-দেৱকী, নন্দ-যশোদা, শ্রীকৃষ্ণ-বলৰাম, গোপ-গোপী আৰু ব্রজলীলাৰ প্রধান সামগ্রী ধেনুবিলাকৰ জন্ম-বিবৰণ দিয়া আছে—

যত দৈত্য দানৱ ভুমিৰ মহাভাৰ।
দেখি হৰি ব্রহ্মাক বুলিলা পুর্ণবাৰ॥ ৮
বসুদেৱ দৈৱকি যশোদা নন্দ আদি।
গোপ গোক ধেনু বৎস সবে ব্রহ্ম বাদি॥
তুমি আদি কৰি জত দেৱতা সকল।
মোৰ সঙ্গে কিবা (ক্রীড়া) কৰিবাক লাগি ছল॥৯
জত দেৱ আছে গোকুলক লাগি জাইবা।
আমি সবে বাল্য কিবা (ক্রীড়া) কৰিয়া থাকিবা॥
জত দেৱ মাতা সবে ব্রজে চলি জাইবা।
সবে দেৱগণে গৈয়া তাহাতে জন্মিবা॥ ১০

• • •

ব্রহ্মায়ে বোলন্ত বেদ সব আজ্ঞা কৰা।
জাতে ইশ্বৰৰ বাকে মতে (মর্ত্যে) জন্ম ধৰা॥ ১৮
এতেকে তোমাক আজ্ঞা কৰিলো বুজাই।
পুর্ণ-কৃষ্ণ গোকুলত সেৱা কৰা জাই॥
ব্রহ্মা আজ্ঞা শুনি বেদগণ বজ ভৈলা।
ত্রিরূপ ধৰি সবে গোকুলে জন্মিলা॥ ১৯

ভক্তিৰ মাহাত্ম্য সম্পর্কে ৩নং পাততে দিয়া আছে—

নৈষ্ঠিক ব্রহ্মচার্য্যক ধৰি বৈকুণ্ঠক জাই।
কর্ম্ম ভক্তি ধাৰে ব্রহ্ম লোক আছে পাই॥
তাৰা সবে কি কাৰণে আসিলা ভুনাই।
কৃষ্ণৰ আদেশে ভক্তে আসিবে লাগই॥
হেন যদি বোলা শুনিয়োক মহাশয়।
ভকতি নভৈলে বিষ্ণু লোকবো খসয়॥ ২৪

অজধ্যাৰ নৰ নাৰি জত প্রজাচয়।
সত্য লোকে গৈয়া সবে ভোগ ভুঞ্জিবয়॥
তাৰা সবে পুন্নৰ্কপি মিথিলাক জাইবা।
শ্রুত দেৱ জনকৰ সঙ্গক লভিবা॥ ২৫
দুই মহন্তৰ সঙ্গে হৰি ভক্তি কৈলা।
নগৰে সহিতে চলি বৈকুণ্ঠক গৈলা॥
অজোধ্যাৰ বৃক্ষলটা পুষ্পবন জত।
পশু পক্ষি শিলা আৰো পিপ্পৰা পর্য্যন্ত॥ ২৬
পুর্ব্ব রূপ ধৰি সবে গোকুলক গৈলা।
পুন্ন কৃষ্ণ সেৱা কৰি বৈকুণ্ঠ লভিলা॥

• • •

হনুমন্ত বিৰ মহাদেৱে হুয়াচয়।
তেহো পুর্ণকপি মহেসত জাইবা লয়॥ ২৮
জাম্বৱন্ত বিৰ ব্রহ্মদেৱে হুয়াচয়।
তেহো পুর্ণকপি ইশ্বৱত জাইবা লয়॥
ভালুক বানৰ কুম্ভকর্ণে আছে খাই।
তাৰা সবে পাণ্ডা হৈগো উৰেসাত জাই॥ ২৯

১১ নং পাততে পাণ্ডু ৰাজাৰ জন্ম-বিবৰণ দিয়া আছে—

গুরু হেলা কৰে জিতো　দুর্জ্জন পামৰ সিতো
এতেকেসে ইহাৰই　পান্দু বর্ণ হোক গই॥ ৮১
মালব্য ৰিষিৰ মহা　অপৰাধ কৈলা জাহা
শুদ্র হুইবে বুলিলা　জমক জে শাপ দিলা। ৮২

এই কিতাপৰ বচক সম্ভবতঃ শ্রীশঙ্কৰ দেৱৰ শিষ্য বা সেই গথাৰ—

জিৰ তাৰিবাৰ হেতু　আসিলা গৰুৰ কেটু।
শঙ্কৰ স্বোৰূপ ধৰি　পুর্ণ কৃষ্ণ অৱ তোৰি॥ ৯১

পুথিৰ ২০ নং পাতত দেৱাসুৰৰ বিষয়ে চমুকৈ দিয়া আছে। প্রথমতে অসুৰবিলাকে দেৱ-নগৰী অমৰাৱতী আক্রমণ কৰিছিল; পিছত সিহঁত হাৰি গৈ সাগৰৰ মাজত লুকাই থাকিল।

দেৱতাত হাৰি　অসুৰ জৈ মৰি
সাগৰে লুকে থাকিল।

ব্রহ্মাদেৱৰ কথা মতে দেৱতাসকলে অগণ্য মুনিৰ ওচৰলৈ যাই প্রর্থনা কৰাত মুনিবৰে কলে—

ৰিষিয়ে বোলন্ত শুনিয়ো অমৰ জজ্ঞু সাৱধানে কৰা।
জল পান কৰি সাগৰ সুসিবু অসুৰক ধৰি মাৰা॥
ৰিষিৰ বচনে ৰঙ্গে দেৱগণে আছিলন্ত কাছি পাৰি।
সুন সাগৰক কৰিলন্ত সেক শুখিলা ৰিষিয়ে ধৰি॥
দেখিয়া অসুৰে আন জে সাগৰে মায়াত লুকে আছিলা।
ক্ৰোধে ৰিষিৰাই গন্দুসে পিয়াই সাতো সাগৰ শুখিলা॥ ১৫৯

পুথিৰ ২৫ নং পাতত শুকৰ জন্ম-বিবৰণ, চন্দ্ৰভদ্ৰা নামক ৰাজাৰ কথা আৰু শুকৰ ভাগৱৎ ব্যাখ্যা সম্পৰ্কে আছে—

ঋষি সমাজত জিতো পুৰাণ কহিলা।
বলভদ্ৰে জাক ঋষি সভাত মাৰিলা॥
দাসিপুত্ৰ সুতক জে ব্ৰহ্মাসন দিলা।
নৈমীসাৰণ্যত জিতো ভাগৱত কৈলা॥

২৮ নং পাতত এটা ঘোষা আছে—

ঘোষা—ব্ৰহ্মা আদি কৰি দেৱ জত।
ৰাম ৰাম ৰাম ৰাম ৰাম।
মায়া সয্যাৰ মাজে আছেই ঘুমন্টি জাই।
তুমিসে চৈতন্য সনাতন ৰাম ৰাম ৰাম ৰাম ৰাম
আমি অছেতনক নিয়োক নাথ যোগাই॥

পদ—পঞ্চ ভূত দেহাকে মন্দিৰ বুলি ভাল।
দস গোটা বায়ুয়ে ইহাৰ ধৰে থাল।
অধিষ্ঠাতা দেৱ প্ৰহৰিয়া জানি।
পঞ্চগুণে দ্ৰব্য দেই হাতে আনি॥
দম্ভ দৰ্প মদ অহঙ্কাৰ চতুষ্টয়।
ছাৰিখান খাটৰ পাট সহজে থাকয়॥
লোভ মোহ কাম ক্ৰোধ চাৰি গোটা সলা (খুৰা)।
চাৰি কোণে দৃঢ় কৰি তাহাক খাঞ্জিলা॥
অবিদ্যাৰ পঞ্চ পৰ্ব্ব আতি গুৰুতৰ।
দৃঢ় কৰি পিহ (?)তাৰ দিলেক খাটৰ॥
তিনি গুণে কাল কৰ্ম্ম সভাৱ চঞ্চল।
দস গোট ইন্দ্ৰিয়ে গুঠনি ভৈল ভাল॥
চয় উৰ্ম্মি তিনি তাপ আতি দুখৰ্ত্তৰ।
খাটৰ উপৰে ভৈলা কমলি কাপৰ॥
ৰাজহংস সদৃস দুগুধ ফেনময়।
মায়া সয্যাখান তাত পৰিয়া আছয়॥
ব্ৰহ্মা আদি কৰি আমি জত জিৱগণ।
মায়া সয্যাত নিদ্ৰা গৈয়া ভৈলো অছেতন॥
কাৰুষ ক্ষত্ৰিয় ৰাজা জজ্ঞক কৰিলা।
জত মহা ঋষি আছে সমস্তে আসিলা॥
এক ভক্ত চাণ্ডাল জে ৰাজাৰ আছয়।
ৰাম কৃষ্ণ নাম তাৰ মুখে নুগুছয়॥
কতো কতো কৃষ্ণ বুলি প্ৰেমে বাগৰয়।
চক্ষুৰ লোতক বহে দেখে কৃষ্ণময়॥
তাকে আনি নৃপতিয়ে দ্বাৰি কৰি দিলা।
জজ্ঞুসালে ঋষিগণে পসিবে লাগিলা॥
অধম চাণ্ডাল পাসণ্ডক দ্বাৰি দিল।
এহি নিন্দা কৰি সবে ব্ৰাহ্মণ পশিল॥
কতো বলে ধৰ্ম্মি ৰাজা কি কৰ্ম্ম কৰিলা।
মহা ম্লেচ নিসাদক দ্বাৰি কৰি দিলা॥
কৰ জোৰ কৰি বোলে চাণ্ডালে বিনয়।
মোৰ দোষ গুৰু সব খেমিতে লাগয়॥
নিন্দা বাণি বুলি সবে ব্ৰাহ্মণ পসিলা।
গন্ধে চন্দনে পুষ্পে পূজিবে লাগিলা॥
বেদ মন্ত্ৰ উচ্চাৰিয়া হৰিক ধিয়াই।
আচোক পূজিবে হৰি ওচৰতো নাই॥
হোতা সবে ঘৃত চয় বহ্নিত দানিলা।
আচোক সমুখ অগ্নি হোমৰে গুচিলা॥
বিপ্ৰে বোলে ৰাজা কিবা দ্ৰোহ আচা কৰি।
বহ্নিয়ো নুঠন্ত পূজা নলৱন্ত হৰি॥
শুনি ৰাজা গুণিবে লাগিলা দুখ কৰি।
কোন দোসে মোৰ পূজা নলৱন্ত হৰি॥
একগুটি ছৱালে বোলে নৃপতিক ছাই।
শুনিয়োক নৃপতি তোমাৰ দোস নাই॥
দ্বাৰি ভক্ত চাণ্ডালক ব্ৰাহ্মণে নিন্দিলা।
এতেকেসে ঋষি হাতে পূজাক নলৈলা॥ ২২২
ভকত জনক জিতো জনে নিন্দা কৰে।
তাৰ হাতে পূজা জানা নলন্ত ইশ্বৰে॥
আৰো নানা কদৰ্থনা তোমাক বুলিলা।
এতেকেসে ব্ৰাহ্মণৰ শ্ৰাধ (শ্ৰাদ্ধ) নষ্ট ভৈলা॥

বেদ পৰি দ্বিজে জদি অমৃত পিয়য়।
তথাপিতো নিন্দকৰ পূজাক নলয়॥
জলে পুষ্পে নামে ঐৰে চাণ্ডালে পূজয়।
এতেকেসে তোমাৰ ইশ্বৰে পূজা লয়॥ ২২৪

এইদৰে আৰু পদ তুলি দিলে প্ৰবন্ধ বৰ দীঘল হয়; আৰু আমাৰো উদ্দেশ্য কেৱল পুথিখনৰ চমু পৰিচয় দিয়াহে। অৰ্থ কৰাত ভুল হব বুলি দুটা এটা শব্দৰ হে বানান লৰোৱা হৈছে।

ঘোষা—অপাৰ সংসাৰ সিন্ধু আৰ।
বিষ্ণু সে পৰম পাৰ যত॥
পাৰ আছে তাত পৰপৰমাত্মাৰূপে॥
তেন্তে তুমি জানা বিষ্ণু পাৰ।
পৰপাৰ ভুট জত পাৰ।
তাসাম্বাৰ পাৰ বিষ্ণুসে পাৰ স্বৰূপে॥

পদ—শুনিয়োক কহো জেন দস গোটা পাৰ।
এক পাৰ বিষ্ণো ভৈলা কহিলোহো সাৰ॥
মৈস্য কূৰ্ম্ম আদি কৰি দশ অৱতাৰ।
তাঙ্কেসে বুলিয়া মই কৈলো পৰপাৰ॥
সমস্তে জগতে অন্তে যাহাত থাকয়।
এতেকেসে ভুতপাৰ তাহাকে বোলয়॥
ব্ৰাহ্মণ ক্ষত্ৰিয় আদি জত জন্ম হয়।
হেন বৈৰাজ্ঞক জানা পাৰ বুলি কয়॥

• •

ব্ৰহ্মা মহাদেৱ দুইকো আজ্ঞা কৰ্ত্তা হৰি।
ভুত পাৰ বুলি সাধু কহে নিষ্ট কৰি॥
যত পাৰ আদি কৰি কৈলো অনুৰূপে।
সমস্তৰে পাৰ বিষ্ণু কহিলো স্বৰূপে॥
তিনিকো নিৰ্গুণ কাৰ্জ কৰ্ত্তা একজন।
হেন পৰ ব্ৰহ্ম বুলি তাঙ্ক সনাতন॥
কতো জ্ঞাতা জানি কৰ্ম্ম পাৰ বুলি কন্ত।
ভক্তে কহে এক পাৰ প্ৰভু ভগৱন্ত॥ ২২৮

তাৰ পিছতে আছে—

আত অনন্তৰে শুনা জেন কথা ভৈলা।
দ্ৰবিৰ দেসক লাগি কলি চলি গৈলা॥
মহা দুষ্ট দুৰ্য্যন জানিয়া বুলি কলি।
বৰৰুছি কলিক পঠাইলা পাছে ঠেলি॥

• •

কলি বোলে তোৰ ৰাজা কত ধৰ্ম্মপৰ।
দ্বিজে বোলে এহি বৃক্ষ সমান দাঙ্গৰ॥
তুলোসিয়ে ফুল ধৰি উসৃত হোৱয়।
বৎসৰ চয় মাস তাৰ পাত নিচিঙ্গয়॥
আমাৰ নৃপতি সম ধৰ্ম্মি নাহিকয়।
চাণ্ডালে ব্ৰাহ্মণে সমে একত্ৰে ভুঞ্জয়॥

• •

কলিত কিৰ্ত্তন মাত্ৰে মহাগতি পাই।
এই গুণে ৰাখিলন্ত পৰিক্ষিত ৰাই॥
সত্যে ধ্যান ত্ৰেতা জজ্ঞু পূজা দ্বাপৰত।
সমস্তৰে ধৰ্ম্ম কলি দেই কিৰ্ত্তনত॥
দোষ সিন্ধু কলি যুগ থাকে গুণ ৰত্ন।
কৃষ্ণৰ নামক জিতো লয়ে কৰি জত্ন॥
তাহাৰ ওছৰ নছাপয় একো কালে।
অধৰ্ম্মিক পাই কলি কৰয় ঘঞ্চালে॥ ৩০০

পুথিখন এইদৰে শেষ কৰিছে—

তোমাৰেসে ভৃত্য কৰি, পূৰ্ব্বতো স্ৰজিলা হৰি
তুমি প্ৰভু অগতিৰ গতি।
জনম নিৰ্ণয় নাম সাস্ত্ৰ ধৰ্ম্মে অনুপাম
এহি মানে ভৈলা সমাপতি॥
অধমত সুপ্ৰসন্ন হুয়োক মধুসূদন
সোক দৃষ্টা ভৈলা অছেতন।
ইন্দ্ৰিয় ব্যাকুল হুয়া ইদানিক কিবা কৰো
কৃপা কৰা মোক নাৰায়ণ॥
কবিৰাজ মিশ্ৰে কয় সুন সভাসদ চয়
বঢ়া টুটা দোস খেমা কৰি।
তযু মায়া সব কাম দাকি বোলা ৰাম ৰাম
সুখে জাই সংসাৰ নিস্তাৰী॥ ৪৩৮

সংগ্ৰহ

সত্য, স্বাধীনতা আৰু সাম্যৰ বাণী

(অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ ভাইছ চেন্সেলাৰ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ দৰ্শনবিভাগৰ প্ৰধান অধ্যাপক ছাৰ ৰাধাকৃষ্ণন, এম্-এ, ডি-লিট্ ডাঙ্গৰীয়াই লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ দশম বাৰ্ষিক কন্‌ভোকেশ্যনত দিয়া অভিভাষণৰ সাৰমৰ্ম্ম।)

স্বৰাজে সকলো প্ৰকাৰৰ অভাৱ গুচাব নোৱাৰে। ভাৰতবাসীয়ে যেতিয়া নিজে নিজৰ দেশ শাসন কৰিবৰ অধিকাৰ লাভ কৰিব, তেতিয়া সকলো সুখী হব; কাৰো কোনো প্ৰকাৰৰ দুখ কষ্ট নাথাকিব বুলি ভবাটো আকাশ কুসুম কল্পনা মাথোন। ভাৰতে স্বায়ত্তশাসন লাভ কৰিলে আমি সকলোৱে বিনাদুখে খাবলৈ ভাত, থাকিবলৈ ধুনীয়া ঘৰ, উপযুক্ত শিক্ষা আৰু যথেষ্ট অৱসৰ ভোগ কৰিব পাৰিম ইত্যাদি কথা মনত ঠাই দিয়াৰ কোনো যুক্তিযুক্ত কাৰণ নাই।

স্বায়ত্তশাসনৰ অৰ্থ এই নহয় যে ইয়াক লাভ কৰিলে আমি সকলোৱে কুসুমকোমল শয্যাত শুই সুখেৰে দিন কটাব পাৰিম। অলীক সপোন কেতিয়াও বাস্তৱত পৰিণত নহয়। ৰাষ্ট্ৰনৈতিক স্বাধীনতা লাভ কৰিব খুজিলে আৰু লাভ কৰাৰ পিছত, তাক ৰক্ষা কৰিব খুজিলে উন্নততৰ সামাজিক ব্যৱস্থাৰ সৰ্ব্বপ্ৰথমেই আৱশ্যক হয়। সত্য, স্বাধীনতা আৰু সাম্য নীতিৰ ভেটিৰ ওপৰত সমাজ দৌল গঢ়ি তুলিব লাগিব। বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে সেই দৌল গঢ়ি তুলিব আৰু তাৰ পৰিপুষ্টি সাধনৰ উপাদান যোগাব। বিশ্ববিদ্যালয়ৰ কাম শেষ হোৱাৰ পিছত তাৰ পৰা ওলাই আহি ছাত্ৰসকলে যদি সাধুতা, সাহস আৰু সুচিন্তাৰ সোত সমাজৰ ভিতৰত বোৱাব পাৰে, তেনেহলে সিবিলাকে নব-ভাৰতৰ গঠনকাৰ্য্যত সহায়তা কৰিব পাৰিব।

প্ৰাচীন সভ্যতাৰ দীপশিখা যুগে যুগে শিক্ষাপ্ৰতিষ্ঠানবোৰৰ ভিতৰেদি হস্তান্তৰিত হৈ আহিছে। এই উজ্জ্বল বন্তি বৰ বিপদ্‌জনক দান। ই বহু অসন্তোষ আৰু ক্ষোভৰ মূল কাৰণ। ই বহু দিক্‌দাহী অনল বিস্তাৰ কৰিছে। এই উজ্জ্বল বন্তি বিদ্ৰোহ ভাবৰ প্ৰকাশমান্ অৱয়ৱ স্বৰূপ। ইয়াৰ জুয়ে বহু হাবি বননি, কুটিৰ প্ৰভৃতি ভস্মীভূত কৰি এতিয়া আমাৰ ওচৰ চাপিছেহি। এই অগ্নি-শিখা বিস্তাৰৰ লগে লগে সামাজিক, ৰাষ্ট্ৰনৈতিক আৰু আৰ্থিক অসন্তোষৰ কাৰণ উদয় হোৱাটো সুনিশ্চিত। কিন্তু সেইবাবে যদি আমাৰ মনত ভয়ৰ উদয় হয়, তেনেহলে বিশ্ববিদ্যালয়ৰ ওচৰেদি যোৱাও উচিত নহয়; আনকি তেনে বিশ্ববিদ্যালয়বোৰ উঠাই দিয়াহে ভাল।

বিশ্ববিদ্যালয়ৰ শক্তিয়েই তৰুণৰ শক্তি; আৰু এই তাৰুণ্যই নতুন নতুন সমস্যাৰ সমুখীন হবলৈ অদম্য আগ্ৰহ জাগ্ৰত কৰে। যদি কোনো বিশ্ববিদ্যালয়ে ভীৰু, দুৰ্ব্বল, অতি সাৱধানে চলিব খোজা, অতিপাত আত্মসুখ অন্বেষী, কোনোৰূপ বিপদৰ সম্মুখীন হবলৈ সাহ নকৰা ছাত্ৰসমাজ হে গঠন কৰে তেন্তে সেই বিশ্ববিদ্যালয়ৰ উদ্দেশ্য সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা বুলি ভাবিব লাগিব। যদি বিশ্ববিদ্যালয়ে বিদ্যাৰ্থীৰ সমস্ত তৰুণ শক্তি অন্ত কৰি সিহঁতক ভীৰু, স্বাৰ্থপৰ আৰু কেৱল সঙ্কীৰ্ণদৃষ্টিসম্পন্ন জীৱত পৰিণত কৰে, বিশ্ববিদ্যালয়ৰ সীমাৰ ভিতৰলৈ গলেই যদি ডেকাসকলৰ উদ্যম, উৎসাহ লোপ পায় তেনেহলে কব লাগিব যে সেই অনুষ্ঠান বিশ্ববিদ্যালয় নামৰ অযোগ্য। সদায় আগুৱাই যোৱাহে মানুহৰ স্বভাৱ; মানুহ জন্মিবৰ দিনৰ পৰাই দুঃসাহসী।

আমাৰ দেশৰ তৰুণ সম্প্ৰদায় স্বাধীন চিন্তাশক্তিসম্পন্ন। সিহঁত কাৰো-কৰ্ত্তৃত্ব আৰু দেশৰ প্ৰাচীন ৰীতিনীতিৰ বশ নহয়, দেশৰ প্ৰত্যেক কৃতবিদ্য বিশ্ববিদ্যালয়ৰ উপাধিধাৰী ডেকাই কোনো নতুন আদৰ্শ লৈ কাম কৰিছে, নাইবা কোনো নতুন নীতি প্ৰচাৰৰ চেষ্টা কৰিছে ইত্যাদি সাৰ্ব্বজনীন ভুল ধাৰণা দেশত প্ৰচলিত আছে। মোৰো ইচ্ছা যে ডেকাসকল বাস্তৱিকতে এনেকুৱাই হওক। কিন্তু আজিলৈকে তেওঁলোক এনে শক্তিসম্পন্ন হব পাৰা নাই। আধুনিক চিন্তাৰ ধাৰা শিক্ষক আৰু নেতৃস্থানীয় লোকসকলৰ সম্পূৰ্ণৰূপে অনুগত। এওঁলোকে যিহকে কয় ই তাকেই বিশ্বাস কৰে। ই নিজ বুদ্ধি প্ৰকাশৰ সময়ত ভীৰুতা জন্মায় আৰু সদায় আনৰ মতলৈকে ধাউতি দেখুৱাবলৈ শিকায়। এই চিন্তাধাৰাই প্ৰত্যেক বাক্‌চতুৰ লোককেই ঈশ্বৰপ্ৰেৰিত পুৰুষ বুলি সন্মান দেখুৱাবলৈ আৰু আধুনিক সকলো প্ৰথাকেই দৈববাণীৰ নিচিনাকৈ আগ্ৰহেৰে গ্ৰহণ কৰিবলৈ প্ৰবৃত্তি জন্মায়। আমাৰ দেশৰ ডেকাসকলে প্ৰবৃত্তি আৰু সংস্কাৰৰ উদ্দীপনা ৰোধ কৰিবলৈ সমৰ্থৱান নহয়। আৰু বহু সময়ত স্বাৰ্থৰ মোহে তেওঁলোকক যুক্তিৰ কণ্ঠৰোধ আৰু চিন্তাশক্তিক মেঘাচ্ছন্ন কৰা দেখা যায়। সমাজৰ মহৎ অনিষ্টকৰ ভীৰুতা আৰু ৰক্ষণশীলতাই তেওঁলোকৰ মনৰ পৰিণত অভ্যাস। এই ভীৰুতাৰ কাৰণেই সুসভ্য গ্ৰীচৰ গৌৰৱময় যুগৰ অৱসান হয়।

বৃটিছশাসনৰ আদিযুগৰ শাসকসকলে এই দেশৰ প্ৰভূত উপকাৰ সাধন কৰিছিল। পৰস্পৰে যুদ্ধ কৰা আক্ৰমণকাৰীসকলৰ দ্বাৰা জৰ্জ্জৰিত দেশত এওঁলোকে শান্তিৰ প্ৰতিষ্ঠা কৰি দেশৰ মহৎ উপকাৰ সাধন কৰাৰ কথা

এই দেশৰ উগ্ৰচৰমপন্থীসকলেও অস্বীকাৰ নকৰে। কিন্তু বিদেশীৰ স্বাধীনতাৰ ফলস্বৰূপে জাতিৰ আত্ম-মৰ্য্যাদা আৰু মনুষ্যত্বৰ যি অপৰিমিত ক্ষতি হৈছে সিও অৱহেলা কৰিব লগীয়া নহয়। আমাৰ বৰ্ত্তমান মানসিক দুৰ্ব্বলতা, নৈতিক অৱনতি আৰু আৰ্থিক দুৰ্গতিৰ মূলকাৰণ যে ৰাজনৈতিক দাসত্ব তাক অস্বীকাৰ কৰিবৰ উপায় নাই।

স্বাধীনতা আৰু আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ লাভৰ প্ৰেৰণা কিছুমান ৰাজনৈতিক প্ৰতিষ্ঠানৰ ভিতৰেদি সুস্পষ্টভাৱে প্ৰকাশ পাইছে। আৰু কিছুমান কাৰণৰ নিমিত্তে ই আজি সমগ্ৰ জাতিৰ চিত্তকে আলোড়িত কৰি তুলিছে। দেশৰ অবৰ্ণনীয় দাৰিদ্ৰ্য, মধ্যবিত্ত সম্প্ৰদায়ৰ মাজত নিবনুৱা সমস্যাৰ উদ্ভৱ, জনসাধাৰণৰ নিৰক্ষৰতা, বৰ্দ্ধনশীল মৃত্যুহাৰ, শাসনকাৰ্য্যৰ ব্যয়বহুলতা, সামৰিক বিভাগৰ গুৰুভাৰ আৰু স্বাধীনতা আৰু আত্মনিয়ন্ত্ৰণ নীতি অক্ষুণ্ণ ৰাখিবলৈ ঘটা গত মহাযুদ্ধৰ প্ৰভাৱ সকলোবোৰেই ইয়াৰ মূল কাৰণ।

ইংৰাজ জাতিৰ ইতিহাস আৰু সভ্যতাৰ ধাৰাৰ প্ৰতি শ্ৰদ্ধাপৰায়ণ কোনো ইংৰাজেই ভাৰতবাসীৰ স্বাধীনতা দাবীৰ ন্যায্যতাক অস্বীকাৰ কৰিব নোৱাৰে বুলি মোৰ বিশ্বাস। স্বায়ত্ত শাসনৰ পথৰ অভিজ্ঞতা আৰ্জ্জিবৰ অধিকাৰ প্ৰত্যেক জাতিৰেই আছে আৰু যদি পূৰ্ব্বাপেক্ষা নিকৃষ্টতৰ শাসনতন্ত্ৰৰ দ্বাৰাই এই অধিকাৰ লাভ কৰিব লগীয়া হয় তেন্তে তাকে কৰিবৰ অধিকাৰো সকলোৱে আছে। ভাৰতশাসনৰ দায়িত্ব যদি ভাৰতবাসীৰ হাতত অৰ্পণ কৰা হয়, তেনেহলে ভাৰতীয় সমস্যাৰ যথোচিত সমাধান হব।

মোৰ বিশ্বাস এতিয়া আমাৰ আগত ভীষণ সমস্যা উপস্থিত। কিন্তু ই যুদ্ধ-বিগ্ৰহ, নাইবা ৰাষ্ট্ৰবিপ্লৱ অথবা ৰাষ্ট্ৰীয় নিৰ্ধনতাৰ ভয় নহয়। আভ্যন্তৰীণ বিৰোধ আৰু আত্ম-কলহে মাথোন আমাক শঙ্কিত কৰি তুলিছে। জাতীয়তাৰ বিৰোধী শক্তি-সমূহে আজি আত্ম-প্ৰতিষ্ঠাকামী নব-ভাৰতৰ কণ্ঠৰোধ কৰিবৰ উপক্ৰম কৰিছে। আমি কেৱল জাগ্ৰত হবৰ চেষ্টা হে কৰিছিলোঁ, এনেতে কিছুমান প্ৰতিকূল শক্তিয়ে আমাক বেঢ়ি ধৰি আমাৰ দাসত্ব জীৱন সুদীৰ্ঘ কৰিবলৈ চেষ্টা কৰিছে। সাম্প্ৰদায়িক সমস্যা সমাধানৰ চেষ্টা ব্যৰ্থ হোৱা গতিকে গুৰুতৰ প্ৰতিক্ৰিয়া আৰম্ভ হব পাৰে। বিশ্বাস, নিৰুদ্বেগতা আৰু আশাৰ ঠাইত নতুন অবিশ্বাস, নতুন উদ্বেগ আৰু নতুন উৎকণ্ঠাই দেখা দিছে। উন্নতিশীল জাতিৰ যি সাহস আৰু অভিজ্ঞতা থাকে, তাক আমি হেৰুৱাই পেলাইছোঁ। পৰিবৰ্ত্তিত অৱস্থাৰ লগত গতিৰ সামঞ্জস্য ৰক্ষা কৰি চলিব নোৱাৰাৰ বাবেই জগতৰ বহুতো ডাঙৰ ডাঙৰ জাতিৰ পতন ঘটিছে। বিশ্বমানৱ সভ্যতাই নিজৰ অগ্ৰগতিৰ পথৰ অনাৱশ্যকীয় বাধাস্বৰূপ দেখি সিবিলাকক এফালে কাতি কৰি থৈছে। আমি যদি জীয়াই থাকিবলৈ ইচ্ছা কৰোঁ, তেনেহলে জ্ঞানৰ দীপশিখা স্বৰূপ আৰু সৰ্ব্বপ্ৰকাৰ পাপৰ বিধ্বংসকাৰী বিদ্ৰোহৰ প্ৰবৃত্তিক আশ্ৰয় কৰিব লাগিব। যি অতীতে আমাক এতিয়াও পীড়ন কৰিব লাগিছে, বৰ্ব্বৰ যুগৰ শেষ চিহ্ন স্বৰূপ যি অতীতে আমাৰ জীৱন পৰ্য্যন্ত সঙ্কটাপন্ন কৰিব খুজিছে, সেই অতীতৰ লগত আমি যুজিব লাগিব। আমি এতিয়াও দৈনন্দিন জীৱনত এনে কিছুমান কাম কৰো, যিবোৰ আমাৰ মনুষ্যত্বৰ পক্ষে কলঙ্কস্বৰূপ।

যদি আমি প্ৰকৃত গণতান্ত্ৰিক হওঁ, তেনেহলে ধৰ্ম্মসম্পৰ্কিত বিষয়ে যিবিলাকৰ লগত আমাৰ মত নিমিলে, সিবিলাকৰ অদৃষ্টত নৰকভোগ লিখা আছে—এই ধাৰণা সোনকালে পৰিত্যাগ কৰিব লগীয়া বুলি আমি ভালকৈ বুজি পাম। যেতিয়ালৈকে আমি জাতি, বৰ্ণ বা সম্প্ৰদায়ৰ স্বাৰ্থক সমগ্ৰ দেশৰ স্বাৰ্থতকৈ ডাঙৰ বুলি ভাবিম, তেতিয়ালৈকে আমাৰ মনে মধ্যযুগীয় প্ৰভাৱ অতিক্ৰম কৰিব পৰা নাই, আৰু আমি প্ৰকৃত গণতন্ত্ৰৰ উপযুক্ত হোৱা নাই বুলি জানিব লাগিব। যি ভয়ৰ কাৰণে আজি দেখা দিছে, যদি সময় থাকোঁতে আমি তাৰ প্ৰতিকাৰৰ উপায় নকৰোঁ, তেন্তে আমি পুনৰায় গৈ বৰ্ব্বৰ যুগত উপস্থিত হব লাগিব। সকলো সম্প্ৰদায় আৰু সকলো শ্ৰেণীৰ লোকেই আমাৰ আকাঙ্খা আৰু অযোগ্যতাৰ অংশভাগী। পুষ্টিকৰ খাদ্যাভাৱ, স্বাস্থ্যৰক্ষাৰ অপ্ৰচুৰ ব্যৱস্থা, জীৱিকা অৰ্জ্জনৰ উপায়ৰ অভাৱ আদি অভাৱ কোনো শ্ৰেণী বা সম্প্ৰদায় বিশেষৰ একচেতিয়া অভাৱ নহয়। ভাৰতৰ স্বাধীনতাৰ আন্দোলনৰ ইতিহাস যেতিয়া লিখা হব, তেতিয়া যেন তাত এনে কথা লিখিব নলগা হয় যে ভাৰতৰ কোনো সম্প্ৰদায়—হিন্দু মুছলমান, শিখ অথবা খ্ৰীষ্টানসকলৰ কোনোৱে স্বাৰ্থৰ নিমিত্তে দেশৰ দ্ৰোহ আচৰিছে।

আমি আজি চাৰিওফালৰ পৰা তৰুণ সম্প্ৰদায়ৰ বিদ্ৰোহৰ কথা শুনিব লাগিছোঁ। এই বিদ্ৰোহৰ প্ৰবৃত্তিৰ লগত মোৰ যথেষ্ট সহানুভূতি আছে। মোৰ এইফেৰা অনুযোগ কৰিব লগীয়া আছে যে এই বিদ্ৰোহৰ ভাব যথেষ্টৰূপে ব্যাপক হোৱা নাই। আমাৰ অতীত সভ্যতাক আদৰ্শবাদ আৰু আধুনিক সভ্যতাক জড়বাদ বোলাকেই বিদ্ৰোহৰ লক্ষণ বুলি ধৰিব নোৱাৰি। ই মাত্ৰ প্ৰতিক্ৰিয়াৰ হে লক্ষণ; ইয়াৰ দ্বাৰাই আমাৰ ৰক্ষণশীলতাহে প্ৰকাশ পায়। ব্যাধি আৰু দাৰিদ্ৰ্যৰ ভিতৰত কোনো মহান্ আদৰ্শ লুকাই থকা নাই; যি নীতি-নিয়মৰ দ্বাৰাই মানুহৰ প্ৰতি ভাৰবহনকাৰী পশুৰ নিচিনা ব্যৱস্থা কৰা হয়, তাৰ ভিতৰত আধ্যাত্মিকতাৰ লেশমাত্ৰও থাকিব নোৱাৰে। বিশ্বমানৱৰ দুখ-দুৰ্দ্দশা লাঘৱ কৰিবৰ অৰ্থে নাইবা সিহঁতৰ সুখ-সমৃদ্ধি বঢ়াবৰ অৰ্থে বিজ্ঞানৰ শক্তি প্ৰয়োগ কৰিলে জড়বাদ প্ৰচাৰৰ নিচিনা নিন্দনীয় কামহে কৰা হয়। নিন্দনীয় সামাজিক ব্যৱস্থা আৰু ধৰ্ম্মৰ নামত প্ৰকাশ কৰা উন্মত্ততাৰ বিৰুদ্ধে ডেকাসকলে বিদ্ৰোহ ঘোষণা কৰিবই লাগিব। দেশৰ ভবিষ্যৎ তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিছে! দেশৰ এনেকুৱা সঙ্কট

অৱস্থাত বিবিলাক নীৰব থাকে, সিবিলাকক নিশ্চয় নিষ্ঠুৰতাৰ অপৰাধে ছুব। দেশবাসী য'ত উদাসীন থাকে তাতে অবিচাৰ আৰু অন্যায় প্ৰতিষ্ঠিত হবৰ সুযোগ পায়। য'ত প্ৰতিবাদ কৰিবৰ কোনো নাথাকে তাতে নিষ্ঠুৰ মালিক, অন্যায়-আইন, ভণ্ডনেতা, দুষ্ট-শাসক আদি দেখিবলৈ পোৱা যায়। ন্যায়ৰ পক্ষে যুঁজিবলৈ সমৰ্থৱান নহলেই অন্যায় বৰ্দ্ধিত হয়। এই দেশৰ কৌটি কৌটি লোক শাৰীৰিক আৰু মানসিক দুখ-কষ্টত ভুগিব লাগিছে; সিহঁতৰ অৰ্দ্ধাশনে, অনাশনে দিন যাব লাগিছে। তোমালোক কেতিয়াও সিহঁতৰ প্ৰতি উদাসীন হব নোৱাৰিবা।

সমাজৰ দোষ সমূহৰ বিৰুদ্ধে কৰা বিদ্ৰোহ, শৃঙ্খলহীনতা আৰু অসহিষ্ণুতা একে বস্তু নহয়। এই বিদ্ৰোহ আচৰণ কৰিও অন্তৰৰ সৌজন্য আৰু আনৰ মনোভাবৰ প্ৰতি শ্ৰদ্ধা দেখুৱাব পাৰি। ইয়াৰ নিমিত্তে আমি সভ্যসমাজৰ সাৰবস্তু মাৰ্জ্জিত আচাৰ-ব্যৱহাৰ বিসৰ্জ্জন দিব নালাগে।

আমাৰ নেতাসকলৰ অনেকে সত্যতকৈ সাফল্যৰ পিনেহে বেছি নজৰ দিয়ে। সংস্কাৰ আৰু ধাৰণাৰ উপযোগী কৰিবলৈ তেওঁলোকে বহুসময়ত সত্যত ৰহণ সানে। যেতিয়া তোমালোকে বিশ্ববিদ্যালয়ৰ পৰা ওলাই গৈ সংসাৰক্ষেত্ৰত প্ৰবেশ কৰিবা তেতিয়া তোমালোকে যি ভাবিবা তাকে নকৈ, আনে যি ভাল পায় তাকে হে কবলৈ ইচ্ছুক হবা। তেতিয়া তোমালোকে কোনটো সজপথ আৰু কোনটো বিপদ্‌জনক পথ তাক বাছি লব লাগিব আৰু অতীতলৈ দৃষ্টিপাত কৰা অযোগ্য, ধ্বংসশীল নেতা নহৈ, ভবিষ্যদ্দৃষ্টিসম্পন্ন, দক্ষ, গঠনমূলক কামৰ উপযুক্ত, আৰু সাহসী নেতা হবলৈ চেষ্টা কৰিব লাগিব। কঠিন শ্ৰম আৰু চিন্তাৰ দ্বাৰা তোমালোকে এটি নতুন জাতি গঢ়ি তুলিব লাগিব। তোমালোক সুখ-স্বাচ্ছন্দ্যৰ অভিলাষী নে সত্য আৰু দুখকষ্টৰ অনুৰক্ত, বিশ্ববিদ্যালয়ৰ শিক্ষাই তোমালোকৰ হৃদয়ত সাহস, দৃঢ়তা, আৰু নিস্বাৰ্থপৰতাৰ ভাব জন্মাইছে, নে তোমালোকক অতত, অতিপাত স্বাৰ্থপৰ, অত্যধিক সুখ-অন্বেষী আৰু কৰ্ম্মৰ প্ৰতি ভয়শীল কৰিছে, তাৰ প্ৰমাণ সময়ত পোৱা যাব। তোমালোকে ভাৰতৰ দাসত্ব মোচনৰ সহায়তা কৰিবা নে দাসত্ব তোমালোকে আৰু সুদৃঢ় কৰিবা? জনসেৱা আৰু দুখকষ্ট বৰণৰ অভিলাষ তোমালোকৰ নাই, তোমালোকে কেৱল নিজৰ সুখৰ পিনেহে চকু ৰাখিছা। মোৰ উক্তিৰ অসত্যতা তোমালোকে নিজৰ উদাহৰণৰ দ্বাৰা প্ৰমাণ নকৰিবা নেকি? ভবিষ্যৎ কালে নিশ্চয় ইয়াৰ উত্তৰ দিব।

অনুবাদক—শ্ৰীমধুসূদন দাস, বি-এ

অসম সাহিত্য সভাৰ বেজবৰুৱা-অভিনন্দনৰ প্ৰতিভাষণ

আসাম সাহিত্য সন্মিলনৰ সভাপতি, সভাৰ প্ৰধান সম্পাদক আৰু সভ্যসকল!

আপোনালোকৰ অভিনন্দনৰ উত্তৰত শলাগ লোৱাৰ বাহিৰে আৰু মোৰ কবলৈ একো নাই। অৱশ্যে মোৰ কবৰ মন গৈছিল যে, প্ৰথম কথা, মই অভিনন্দন পাবৰ যোগ্য নহওঁ। দ্বিতীয়ত—অসমীয়া সাহিত্য ক্ষেত্ৰত আজি মোতকৈ অনেক যোগ্য মানুহ আছে, তেওঁলোকৰ ভিতৰৰ কোনো এজনেহে এই অভিনন্দন পোৱা উচিত আছিল। তৃতীয়ত,—আপোনাসকলে সমূলি ভুল নকৰিলেও, অলপ ভুল কৰি তৃতীয় শ্ৰেণীৰ মানুহ এজনৰ মূৰত এই অভিনন্দনৰ মালতী ফুলপাহ আপোনাসকলৰ মুখৰ ফুৰ মলয়াৰে উৰুৱাই পেলাই দিছে। কিন্তু এইদৰে এতিয়া আৰু নকওঁ। কোৱাটো অশোভন হব। কাৰণ মোৰ গাই-গুটীয়া বিবেচনাতকৈ সাহিত্য সভাৰ সভ্যসকলৰ সমূহ বিবেচনাৰ সমষ্টি নিশ্চয় বলৱন্ত; আৰু সম্ভৱতঃ নিৰ্ভুলেই। সাহিত্য সভাৰপৰা বিবেচনা বিচাৰৰ ওপৰত, এখুদ মনৰ মই মুখ বজাবলৈ যাবৰে বা কোন? তাৰ উপৰি, ৰাইজৰ আদেশৰ শকতি ইমান বেছি যে ৰাইজে মোৰ নিচিনা ক্ষুদ্ৰ প্ৰাণী এটাক মৰ বুলিলেও, সেই কাৰ্য্যটো এই ক্ষুদ্ৰ প্ৰাণী-জনৰ অভিপ্ৰেত আৰু সুবিধাজনক নহলেও, ৰাইজৰ আদেশ মানি অন্ততঃ চকু মুদি মৰাৰ ভক্তিকে দি ৰাইজৰ সন্মান ৰক্ষা কৰিবলৈ তেওঁ বাধ্য। ইত্যাদি কাৰণৰ বশবৰ্ত্তী হৈ আজি সাহিত্য সভাৰ অভিনন্দন পত্ৰখনি মই অতি সমাদৰ আৰু সন্মানেৰে মূৰ পাতি ললোঁ। কৰ্ম্ম-ফলৰ প্ৰত্যবায় অৱশ্যে যে মোৰ গাত নাথাকিল সেইটোও লগতে জনাই থলোঁ।

এইটো সৈ কাঢ়িবই লাগিব যে মাতৃভাষাৰ সেৱা কৰোঁ বুলি সৰুৰেপৰা মই কাপ, মৈলাম, কলাপাত, তাৰ পিছত তুলাপাত হাতত লৈ খপজপাই ফুৰিছোঁ। কিন্তু কি লেখিছো কি পঢ়িছো, আজিলৈকে মই নিজে তাৰ ভালকৈ ততকে ধৰিব পৰা নাই। কোনোৱে কৈছে সেইবোৰ হেনো জাবৰৰ দ'মহে হৈছে। জাবৰৰ দ'ম হলেও মোৰ দুখ নাই। কাৰণ সিয়ো গুৰু-ভকতত নালাগি নাযায়। অন্ততঃ এই পুহমহীয়া জাৰত সেই দ'ম জাবৰত জুই লগাই দি জুই পুৱালে সাহিত্য সভাৰ সভ্য ভকতসকলৰ জাৰ গুচিব; আৰু তেওঁলোকে নকঁপাকৈ গল মেলি বক্তৃতা কৰিব পাৰিব। যি হওক, অৱশ্যে মোৰ নিজৰো যে বিবেচনা এটা নাই এনে নহয়। মোৰ মনেৰে, এই দুটা সিদ্ধান্তৰ মাজৰে কিবা এটাত মই আজিলৈকে আঙ্গুলি বটিয়াই আছোঁ। আঙ্গুলি বটিয়াই থকা বস্তুটি অৱশ্যে কি হৈছেগৈ মই কব নোৱাৰোঁ। কবৰ ভাৰ দৰ্শক, পাঠকৰ ওপৰতে পৰি ৰল। সাহিত্য সভাই তো নিজৰ মতামত দি আজি "খালাচ" হলেই। আৰু এটা কথা মই ভাবিছোঁ। "অ—আ, স্বৰে—ই, ক—খ—ঙ, খোৰা দ, পেট কটা—ষ, দৈত- স" ডেই মই গদ্যপদ্য নাট-উপন্যাস পাইছিলো গৈ যেন মনে ধৰিছে। কিন্তু পৃথিবীখন ঘূৰণীয়া বুলিয়েই নে কি, আকৌ দেখোন ঘূৰিপকি সৰুতে ভীমকলৰ পাতত লেখিবলৈ আৰম্ভ কৰা সেই "সিদ্ধিৰস্তু"ত আজি ওলালোহি। মোৰ তুলাপাতৰ খম্‌খমনি, কাপৰ আচোৰণি, আৰু মৈলামৰ হোলোকনি পৃথিবী পৰিক্ৰম কৰোতা য়ুৰোপীয় নাৱৰীয়া দ্ৰেক, মেগেলিন, কুকৰ দৰে, সাহিত্যৰ ঘূৰণীয়া পৃথিবীখন ঘূৰি, যৰেপৰা প্ৰথমতে গৈছিল, গুৰিৰ সেইখিনিতে আজি ওলালহি দেখিছো। সেই গুৰিটো হৈছে মোৰ বিদ্যাৰম্ভৰ "সিদ্ধিৰস্তু"। সেই "সিদ্ধিৰস্তুৱেই" আজি আপোনাসকলে চেনেহ-প্ৰীতিৰ মৌৰে সানি দিয়া এই অভিনন্দন-পত্ৰ—বস্তু। বৈজ্ঞানিক সকলে যিহকে কওক, এইটো আজিৰ ঘটনাই কিন্তু প্ৰমাণ কৰিলে যেন লাগিছে, যে এই পৃথিবীত Straight lines আৰু parallel Straight lines অৰ্থাৎ সৰলৰেখা আৰু সমান্তৰাল ৰেখা বুলি পদাৰ্থ এটা নাই। সেইবোৰ টানি লৈ গৈ থাকিলে শেহত আকোৰ খাই ঘূৰণীয়া হৈ ওভতে। পৃথিবীখন ঘূৰণীয়া, চন্দ্ৰ-সূৰ্য্য-গ্ৰহ-নক্ষত্ৰবোৰ ঘূৰণীয়া, আৰু সকলোবোৰ বিশ্বব্ৰহ্মাণ্ড নামৰ কণী এটাৰ পেটত দেখিয়েই হবলা এনেকুৱা। এই দেখিয়েই হবলা আমি ওপজাৰে পৰা পাওঁ আমাৰ পাৰ্থিব মা বাপ; তাৰ পিছত কাপ, আৰু মৰিবৰ সময়লৈকে কাপতেই থাকে আমাৰ বাপ, আৰু অন্তত পাওঁ বিশ্বব্ৰহ্মাণ্ডৰ জননী জনক স্বৰ্গীয় মা বাপ। এই ঘূৰণীয়া মেৰটোৰ ভিতৰত সোমাই আমি সদাই ঘূৰি আছোঁহঁক। মোৰ এই দাৰ্শনিক তত্ত্বটোত ভুল আছে যদি আপোনাসকলে তাক নিৰ্ব্বিবাদে ধৰিব পাৰে, তাৰ সপক্ষে বা বিপক্ষে মই তৰ্ক নকৰোঁ, জানি থব।

মোৰ দীঘলীয়া জীৱনটোত বিস্তৰ বিচিত্ৰ বছৰ দেখিলো। দেখিবলৈ বাকীৰ লেখ তাকৰ। অঙ্কবিদ্যাত সদায় মই পিছ পৰা (backward)। অঙ্কৰ লেখ সৰহ হলে, সেইবোৰ গোটাই মুঠ ফলটো উলিয়াবলৈ গলেই মই থাউনি নোপোৱা হওঁ। সেই দেখি মোৰ বয়সৰ হিচাপ-কিতাপ কৰিবলৈ হলে, মই যদি বঙ্গদেশত থাকিলো হেতেন, বঙ্গালী "একউণ্টেণ্ট জেনেৰেল" শুভঙ্কৰীক মাতি পঠিয়ালো হেতেন; অৱশ্যে শুভঙ্কৰী যদি আজিও জীয়াই থাকিল হেতেন। কিন্তু আজি মই মোৰ মাতৃভূমি অসমত। সেই দেখি আমাৰ বকুল কায়স্থলৈকে মোৰ মনত পৰিছে। দেহি ঐ তেওঁ কলৈ গল! মোক মোৰ বয়সৰ লেখত সহায়ৰপৰা বঞ্চিত কৰি, কায়স্থকুলপ্ৰদীপ বেচেৰা বকুল কোন কলিশ-যুগতে মৃত্যুৰ অকুল সমুদ্ৰত বুৰি গল, কোনে মোক কব? সেই নিমিত্তেহে কওঁ, যদি মোৰ বয়সৰ ঠিক অঙ্কটো উলিয়াবৰ আৱশ্যক কোনোবাই বিবেচনা কৰে, তেন্তে মোৰ বন্ধুসকলৰ ভিতৰত যদি কোনোবা অঙ্কবিদ্যা-বিশাৰদ আছে, তেখেতেই পেঞ্চিল তুলাপাত হাতত লৈ নবহিলে আৰু উপায় নাই। এই বকলা অবান্তৰ কথাৰে মুঠতে ইয়াকে কবলৈ গৈছোঁ যে মোৰ এনে দীঘলীয়া বয়সৰ শেহ ছোৱাত আপোনাসকলৰপৰা আদৰ সমিধানৰ যি পত্ৰখনি মই পালোঁ, আন নহলেও, সেইখনিৰ নিমিত্তেই মই ইমান দিন এই পৃথিবীত দুখ কৰি অন্ন ধ্বংস কৰি জীয়াই থকাৰ পৰিশ্ৰমটো সাৰ্থক হল বুলি ভাবিছোঁ।

এই সংসাৰত এনেকুৱা অনেক মানুহ আছে, যে তেওঁলোকে যিবোৰ কথালৈ দিনৌ হাট-বাট কৰে, অলপ চেলু পালেই সেইবোৰ কথাৰে ফেদেলীপুৰাণ লোকৰ আগত নেমেলি থাকিব নোৱাৰে। আশা কৰোঁ, সেই জাতৰ মানুহৰ শাৰীত মোক আপোনাসকলে পেলোৱা নাই। সাহিত্য সভাই মোক অভিনন্দন দিছে বুলি, তাৰেই আলম লৈ যে আজি মই পৰা-নোৱাৰাকৈ সাহিত্যৰ বিষয়ে পাচীদে'ক বক্তৃতাৰ পোহাৰ আপোনাসকলৰ আগত মেলিম, এনে দুৰভিসন্ধি মোৰ হৃদয়ত ভগৱন্ত বস্তুৱে দিয়া নাই। বিশেষতঃ পানীৰে চপচপীয়া এই শিৱসাগৰৰ বৰপুখুৰীটোৰ পানী বঢ়াবৰ মনেৰে আমাৰ পানী খোৱা কণ-পুখুৰীটোৰপৰা কহলচেৰেক পানী আনি পোহ দিবলৈ যোৱাটো যেনে, সাহিত্য সভাত সাহিত্যৰ বিষয়ে মোৰ গোটাচেৰেক বাঙ্কৰা কথাৰে তেনেকুৱা কুকাণ্ড কৰিবলৈ যোৱাটোও তেনে যেন মোৰ মনে ধৰে। কথাটো হয় নহয়, আপোনাসকলে দকৈ ভাবি চাওক। এইবাবেই মই সেইফালে হাত নেমেলি, দৰ্শকৰ দৰে বাহিৰৰপৰাই সভাৰ বিষয়ে একাষাৰ কওঁ বুলিছোঁ। সভাৰ ভিতৰুৱা কথা, কালি বহা সভাত সুযোগ্য প্ৰধান সম্পাদকৰপৰা বিস্তাৰিতভাৱে শুনিবলৈ পাইছে।

হাকুটী লগায়ো ঢুকি নোপোৱা দূৰবিদেশত থকা বাবেই নে কি, মোৰ চকুত পৰিছে, যে সভাখনৰ গতি মন্থৰ, কিন্তু সুদৃঢ়। সেইদেখি এনে এদিন আহিব বুলি মোৰ দৃঢ় বিশ্বাস হৈছে, যেতিয়া এই সভাই সাহিত্যিকক দিয়া উপাধিবোৰ বিশ্ববিদ্যালয়ৰ উপাধিৰ নিচিনা গণ্যমান্য হব। তেনেকুৱা দিন আহিলে, কোনো এখন টোলৰ, বা টোলৰ বাহিৰৰ কোনো এজন ভট্টাচাৰ্য্যক মহৰ এঠাদৈ, মালভোগ কল, আৰু গুড়েৰে দিয়া এবাটি কোমল চাউলৰ জলপানৰ সলনি কোনো উচ্চাকাঙ্ক্ষী সাহিত্যিক বা অসাহিত্যিকে সেই ভুৰিভোজনকাৰী ভট্টাচাৰ্য্যৰপৰা কলিগুণাকৰ বা সাহিত্য-ভাস্কৰ উপাধিৰ নিচিনা উপাধিৰে বিভূষিত হৈ সাহিত্য-ক্ষেত্ৰৰ ভিতৰতে, বা বাহিৰতে, জিলিকিবলৈ যাবৰ আৰু আৱশ্যকতা নাথাকিব; কাৰণ, সেই বুভুক্ষুৰ সেই ক্ষুধা এই সভায়েই নিশ্চয় তেতিয়া পূৰণ কৰিব পাৰিব। আৰু আশা কৰিছো যে য়ুৰোপ-আমেৰিকাৰ প্ৰাচীন আৰু প্ৰতিপত্তিশালী "একেডেমি" আৰু "চোচাইটিবোৰৰ" প্ৰদত্ত উপাধি জগতে মানি লোৱাৰ দৰে, আমাৰ আসাম সাহিত্য সভাৰ প্ৰদত্ত উপাধিকো, এনে এদিন আহিব যে সকলোৱে মানি লব। অৱশ্যে এইটো এই বুঢ়াৰ সমাজিক নিশ্চয়। এই সমাজিক ফলিয়াবও পাৰে নফলিয়াবও পাৰে। আসাম সাহিত্য সভাই নিজৰ নিৰ্দ্দিষ্ট বাটেদি গৈ থাকি এহাশুধীয়াভাৱে কাম কৰিলে নফলিয়াবৰ কোনো আশঙ্কা নাই। মোৰ এই কথা শুনি যদি কাৰবাৰ মনত এনে ভাব খেলাইছে যে অভিনন্দন-পত্ৰ পায়ো বক্তাৰ হেঁপাহ পলোৱা নাই; তাৰ উপৰি বক্তাক সাহিত্য সভাৰপৰা কিবা এটা উপাধি লগা হৈছে, তেন্তে তেনে ভাবুকৰ আগত মোৰ হিয়া উবুৰিয়াই দেখুৱাওঁ যে,তেনেকুৱা হেঁপাহৰ গজালি বা পুলি-পোখা তাত একো নাই। তেনেকুৱা উচ্চ আশাৰ উপসৰ্গ এই বক্তাৰ কোনোকালে নাছিল, এতিয়াও নাই, আৰু আগলৈ হবৰো কোনো আগন্তুক নাই বুলি বক্তাই মন খুলি কয়। বহলাই নকওঁ,—অনেক বছৰ হাড়-মূৰ ভাঙি পৰিশ্ৰম কৰি ইংৰাজী বিদ্যালয়ত পঢ়ি শেহত পোৱা এই মেমেৰা বি-এ উপাধিৰ ভালুকৰ ভাৰখনো যদি কোনোবাই কিবা স্বৰূপে তেওঁৰ কান্ধৰপৰা নমাই নিব পাৰে, তেন্তে তেওঁ বৰ্ত্তিব। সেই উপাধিৰ প্ৰতি ঘৃণাৰ নিমিত্তে যে তেওঁ এইষাৰ কথা কৈছে এনে নহয়; সেই উপাধিৰ জোখাৰে বিদ্যা তেওঁৰ গাত কোনোকালে নাছিল, এতিয়াও নাই, আৰু আগলৈকো হবৰ তেওঁৰ বয়সো নাই; সেইদেখিহে, এইদৰে কৈছোঁ। এই বক্তাক যদি সাহিত্য ক্ষেত্ৰত কোনবাই পাইছে, সেইটো বক্তাৰ দৈবদুৰ্ব্বিপাকতহে; নাইবা, বক্তাৰ গাত দীৰ্ঘকাল স্থায়ী দুৰ'ৰোগ্য বায়ুব্যাধিৰ উপদ্ৰৱতহে। অলমতি বিস্তৰেণ।

সাহিত্য সভাৰ সুধীসকল আৰু সভাৰ কাৰ্য্যত সহানুভূতি থকা উপস্থিত বন্ধুসকল! শেহত আকৌ মোৰ অন্তৰৰ কৃতজ্ঞতা আপোনাসকলক, এই পুহমহীয়া ঠেটুৱাই ধৰা জাৰত কঁপি কঁপি জনালোঁ। চাওক, আপোনাসকলে দিয়া অভিনন্দনৰ ফুল-চন্দন মই কেনেকৈ মূৰ পাতি ললোঁ।

বিশ্বপ্ৰৱাহ

ভূমধ্যসাগৰত ইংৰাজ ৰাজ্যৰ চমু বুৰঞ্জী

ভূমধ্যসাগৰত ইংৰাজৰ অধিকাৰত প্ৰধানকৈ তিনখন ঠাই আছে—জিব্ৰাল্টাৰ, মাল্টা আৰু চাইপ্ৰাচ। এই



১৭৪০ খৃঃত ইংৰাজ আৰু ওলন্দাজ সেনাই লগ হৈ জিব্ৰাল্টাৰ অৱৰোধ কৰিছে

ঠাইবোৰ কেনেকৈ চতুৰ ইংৰাজে হাত কৰিলে তাৰ চমু বুৰঞ্জী ইয়াত দিয়া হ'ল।

জিব্ৰাল্টাৰ

৭১১ খৃঃত মুৰ সেনাপতি তাৰিফৰ লগত গলবিলাকৰ যুঁজ লাগে। তিনদিনৰ যুঁজতে তাৰিফ জিকে আৰু আন্দালুচিয়া আৰু বাৰ্বাছ তেওঁৰ হাতলৈ আহে। তাতে তেওঁ 'মন্সকাল্প' নামে পৰ্ব্বতৰ টিঙত এটা দুৰ্গ সজায়। দুৰ্গ সজা কাম ৭৪২ খৃঃত শেষ হয়। ১৩০৯ খৃঃত এই দুৰ্গ নেপালৰ হাতলৈ আহে। কিন্তু ১৩৩৩ খৃঃত এই দুৰ্গ আকৌ মুৰবিলাকে অধিকাৰ কৰে আৰু ১৪১১ খৃঃত ই গ্ৰানাডাৰ মুৰশাসনকৰ্ত্তাৰ তলতীয়া হয়। আঢ়ৈ-কুৰিমান বছৰৰ পিছত ই আকৌ স্পেনৰ হাতলৈ যায়। ১৭০৪ খৃঃত মিত্ৰৰূপে অষ্ট্ৰীয়াৰ লগ লাগি ইংৰাজ আৰু ওলন্দাজ সেনাই তিনদিন আগুৰি ধৰি এই পৰ্ব্বতীয়া দুৰ্গটো অধিকাৰ কৰে। বুধিয়ক ইংৰাজ সেনাপতি ছাৰ জৰ্জ ৰুকে আপোন দায়িত্বত তাত ইংৰাজৰ জাতীয় পতাকা উৰালে আৰু তেতিয়াৰ ইংৰাজ ৰাণী এনীৰ নামত তাক ইংৰাজৰ ৰাজ্যৰ ভিতৰুৱা কৰি ললে।

মাল্টা

খৃঃ পূঃ ৬ষ্ঠ শতিকাত ফিনিচিয়া জাতিৰ এটা শাখা আহি মাল্টা দ্বীপত বাস কৰে। পিছত ৰোমৰ লগত তেওঁলোকৰ খৰিয়াল লাগিলত মাল্টা ৰোমৰ হাতত পৰে। যেতিয়া ৰোমানসাম্ৰাজ্যৰ দুডোখৰ হ'ল, তেতিয়া মাল্টা কন্‌ষ্টাণ্টিনেপোল সাম্ৰাজ্যৰ ভিতৰুৱা হয়। ১৭৯৮ খৃঃত পাশ্চাত্য ৰণদেৱতা নেপোলিয়ন বোনপাৰ্টিয়ে মাল্টা জয় কৰিলে। তাৰেপৰা তেওঁ মিচৰ জয় কৰিবলৈ যায়। নীলনদীৰ পাৰত নেপোলিয়নৰ পৰাজয় হোৱাত মাল্টাবাসীয়ে



মাল্টাৰ বন্দৰ

ফৰাছী শাসনৰ বিৰুদ্ধে থিয় দিয়ে। ইংৰাজবিলাকে লয়। ফৰাছীৰ লগে লগে তেতিয়াৰপৰা ইংৰাজো মাণ্টা অবৰোধ কৰিব বুলি তেতিয়া সম্ভাৱনা দেখা গৈছিল জাতীয় পতাকা মাণ্টাত উৰিবলৈ ধৰে। সাৰশেষত



চাইপ্রাচৰ দ্বিতীয় নগৰ লাইমচল

আৰু সেই সম্ভাৱনা কামত ফলিয়াগে। ইংৰাজ সেনাপতি ১৮১৪ খৃঃ ত পেৰিচৰ সন্ধিমতে মাণ্টাক বৃটিছ সাম্ৰাজ্যৰ নেলহুনে মাণ্টাৰীপলৈ গৈ ফৰাছীৰ হাতৰপৰা মাণ্টা কাঢ়ি অন্তৰ্ভুক্ত কৰি লোৱা যায়। মাণ্টাত প্ৰাক্-তুৰ্কী যুগৰ



মাণ্টাৰ ৰাজধানী ভেলিটা

স্থাপত্য-শিল্পৰ বহু নিদৰ্শন পোৱা যায়। ইয়াৰ ভিতৰত 'হাল টাৰ্কিয়ান' নামে নগৰখনৰ নাম উদ্ধৃকিয়াব পাৰি। প্ৰস্তৱত্বজসকলে ঠাইডোখৰ খনি তাত বহুত মন্দিৰ আদি পাইছে।



হাল টাৰ্কিছিয়ান নগৰৰ দৃশ্য

চাই প্রাচ্

নানান ৰজাৰ হাত বাগৰি বাগৰি চাইপ্রাচ্ খৃঃ ১৬শ শতিকাত তুৰ্কৰাজ দ্বিতীয় চেলিমৰ হাতলৈ আছে। চাই-



চাইপ্রাচৰ ভাৰ্জিন দৰ্গ

প্রাচত দুই শতিকা জুৰি তুৰ্কীৰ শাসন চলে। তুৰ্কীবোৰ অত্যাচাৰী আছিল। বাৰে বাৰে চাইপ্রাচবাসী সকলে তুৰ্কীৰ বিৰুদ্ধে বিদ্রোহ তুলিবলৈ ধৰিলে। শেষত ১৮৭৮ খৃঃৰ ৪ জুন তাৰিখে চুলতানৰ লগত সন্ধি কৰি আৰু নামত চুলতানক স্বীকাৰ কৰি ইংৰাজে চাইপ্রাচৰ শাসনভাৰ হাতত লয়। মহাসমৰৰ সময়ত চাইপ্রাচক খাচ বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্গত কৰি লোৱা হয়।

অসমীয়া টুৰিষ্ট বা ভ্ৰমণকাৰী

অসমীয়া ডেকাসকলৰ মনত ভ্ৰমণৰ তীব্ৰ স্পৃহা জগাটো বৰ সুখৰ কথা হৈছে। অলপতে উত্তৰ গুৱাহাটীৰ শ্ৰীযুত লোহিত চন্দ্ৰ বৰা আৰু শ্ৰীযুত কৃষ্ণৰাম দাস নামেৰে দুজন ডেকাই বাইচিকেলেৰে ৮।১২।৩১ তাৰিখে বওনা হৈ আসাম নৰ্থ ট্ৰাঙ্কৰোডেৰে উজাই গৈ আকৌ চাউথ ট্ৰাঙ্কৰোডেৰে ঘুৰি মুঠতে ৬২০ মাইল ভ্ৰমণ কৰি ৮।১।৩২ তাৰিখে পুনৰ গুৱাহাটী পাইছেহি। সিবিলাকে অসমৰ নগৰ, ভমাৰশেষ আৰু অন্যান্য নানাস্থান পৰিদৰ্শন কৰি যি অভিজ্ঞতা লভিছে তাক প্ৰৱন্ধাকাৰে প্ৰকাশ কৰিবৰ ইচ্ছা কৰিছে। অসমীয়া ডেকাই বাইচিকেলেৰে ইমান বাট ভ্ৰমণ কৰা এইবাৰেই পোন-প্ৰথম দেখা গল। ইয়াত যি দুজন ডেকাৰ প্ৰতিকৃতি প্ৰকাশ হৈছে তেওঁলোক আৰু আন ঠাইত প্ৰকাশ হোৱা পৰশুৰাম কুণ্ডৰ যাত্ৰী সকলৰ এনে উৎসাহপূৰ্ণ ভ্ৰমণে অসমীয়া ডেকাসকলৰ মাজত এটা নতুন প্ৰেৰণাৰ সৃষ্টি কৰিব, সন্দেহ নাই।



শ্ৰীযুত লোহিতচন্দ্ৰ বৰা আৰু শ্ৰীযুত কৃষ্ণৰাম দাস

ভাৰতৰ সোণ ৰপ্তানি

যোৱা জানুৱাৰীৰ ৩য় সপ্তাহত ৩কোটি ৮৫ লাখ টকাৰ সোণ বিদেশলৈ ৰপ্তানি হৈছে। ২৩ জানুৱাৰী



মেজৰ ডব্লিউ, ও, উড্‌ছ—(আমেৰিকা) সংযুক্ত প্ৰদেশৰ ধনভঁৰালী। এখেতৰ হাতত পৃথিবীৰ আদ্‌খিনি সোণ গোট খাইছে।

তাৰিখে ১কোটি ৩৫ লাখ টকাৰ সোণ 'ৰাণপুৰা' নামে জাহাজেৰে ৰপ্তানি হৈছে।

গোছবা ৰাজ্যৰ কাহিনী

গোছবা নামে এই ঠাইখন বঙলাদেশৰ সুন্দৰবনত গোছবা কলিকতাৰপৰা ৫০ মাইল আঁতৰত আৰু বিদ্যানৈৰ পাৰত।



ছাৰ ডেনিয়েল হামিল্টনে অনা স্কট্‌লণ্ডদেশীয় যতৰ, ইয়াৰে সেই দেশীয় আৰু ভাৰতীয় পছমী সূতা কাটিব ধৰিছে।

২৮ বছৰ আগেয়ে গোছবা এখন গহীন বননি আছিল আৰু ই বাঘ আৰু ঘৰিয়ালৰ লীলাভূমি আছিল। ছাৰ ডেনিয়েল হেমিল্টনে ইয়াক আবিষ্কাৰ কৰে। এতিয়া য'ত গিৰ্জ্জাটো আছে, তাৰ ওচৰতে এজোপা বটগছ



গোছবাৰ বটগছ আৰু গিৰ্জ্জা

আছে। এই বটগছৰ তলখন বাঘৰ ক্ৰীড়াভূমি আছিল। এতিয়া এই ঠাইডোখৰেই মাজ-গোছবা নামে খৃষ্টীয়ান গাওঁ। গোছবাত সৰ্ব্বমুঠ ১৯ খন গাওঁ আছে আৰু তাৰ লোকসংখ্যা ন হাজাৰ। প্ৰত্যেকখন গাৱঁতে একোটা সমবায় সমিতি আছে।

গোছবা ৰাজ্যখন ছাৰ ডেনিয়েল হেমিল্টনে স্থাপন কৰে। ৰাজ্যৰ প্ৰজাবোৰ বৰ অৰ্থকষ্টত পৰিছিল। এই অৰ্থকষ্ট গুচাবলৈ ছাৰ হেমিল্টনে তাত পৰীক্ষাৰ কাৰণে ৰায়তৰ মাজত সমবায় সমিতি প্ৰতিষ্ঠা কৰে। আৰু ফলত, তাত কোনো প্ৰজা ধৰুৱা নাই। ১৯১৯ চনত তাত এটা চেণ্ট্ৰেল বেঙ্ক স্থাপন কৰা হয়। তাৰ উদ্দেশ্য আছিল গাৱঁলীয়া সমবায় সমিতিবোৰ চাই ফুৰা আৰু সেই বোৰক অৰ্থ সহায় দিয়া। লগে লগে সেই সময়তে ধান বেচা সমবায় সমিতিও এটা গঠন কৰা হয়। এই সমিতিখনকে শেহত 'কো-অপাৰেটিভ ৰাইছ মিল চোচাইটি'ত পৰিণত কৰা হয়। ৰায়তবোৰে এই কলত ধান আনি দিয়ে। কলৰ অংশীদাৰ পাঁচ শ।

গোছবা ৰাজ্যত ১৫খন নিম্নপ্ৰাইমাৰি স্কুল আৰু এখন মজলীয়া ছাত্ৰবৃত্তি স্কুল আছে। ৰায়তবোৰে বিঘাইপতি /০ অনাকৈ খাজনা দিয়ে। মজলীয়া স্কুলখনৰ ছাত্ৰাবাস, খেতিপথাৰ-বিভাগ আৰু শিল্পবিভাগ আছে। ছাতৰসকলক তাত উপযুক্ত খেতিয়ক হবলৈ শিক্ষা দিয়া হয়। বাকী সময় ছাতৰহঁতে ঘৰুৱা শিল্পত কটায়।—যেনে কটনা কটা, এৰী-মুগা পোহা, পছমী কাপোৰ বোৱা ইত্যাদি। স্কুলত এটা স্কট্‌লণ্ডদেশীয় যতৰ আছে। এই যতৰটো ছাৰ ডেনিয়েলে তেওঁৰ স্কট্‌লণ্ডৰ ঘৰৰপৰা আনিছে।

অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

অসম অৰ্থাৎ কামৰূপৰ পুৰণি সাহিত্যৰ বিষয়ে গৌৰৱ কৰিবলৈ বহুখিনি আছে। এই কথা বহু বিদেশীয়েও মুক্তকণ্ঠে স্বীকাৰ কৰিছে। অসমীয়া পুৰণি পুথিৰ পাতত তিনি-শ বছৰৰ আগৰ চিত্ৰশিল্পৰ নমুনাও পোৱা গৈছে। তাৰ ভিতৰত হাতীৰ ছবিবিলাক বিশেষ উল্লেখযোগ্য। তাৰ বাহিৰেও ৰাজপাট, চালপীৰা, আসন, বিপ্ৰ প্ৰভৃতিৰ নমুনাও সুস্পষ্ট। পুৰণি শিলামূৰ্ত্তিও ইমান ওলাইছে যে গুৱাহাটী আৰু তেজপুৰৰ কিছুমানৰ ঘৰতো মূৰ্ত্তি সজাই থৈ দিয়া দেখিবলৈ পোৱা যায়। কিন্তু অকল ইয়াতে নিশ্চিন্ত হলে নহয়। নানা ঘটনাৰ বিপৰ্য্যয়ৰ মাজত পৰি এই দেশৰ শিল্প আৰু সাহিত্যৰ অগ্ৰগতি মন্দীভূত হৈ পৰিছিল। সুখৰ বিষয়, দেশৰ সুসন্তান সকলৰ দৃষ্টি এইফালে পৰিছে। এতিয়া আমাৰ পুৰণি যি আছে, তাৰ উদ্ধাৰৰ লগে লগে নতুন সাহিত্যৰ উন্নতিলৈ মন দিয়া হৈছে। আৰু সাহিত্যিকৰ ভৱিষ্যৎ কৰ্ত্তব্য নিৰ্দ্ধাৰণৰ বাবে এইবোৰ সাহিত্য সভাৰ অনুষ্ঠান পতা হৈছে। সকলোৱে যেন মনত ৰাখে—আমাৰ অভাৱ অনন্ত! ইমান দিনে আন প্ৰদেশৰ তুলনাত যিমানখিনি পাছ পৰা গৈছে, সিখিনি আগ বাঢ়িব লাগিলে এটা বিশেষ চেষ্টা লাগে। দেশ-বিদেশৰ উন্নত শিক্ষিত সমাজে নিজ বৈশিষ্ট্যপূৰ্ণ নতুন গ্ৰন্থৰাজি ৰচনা কৰিছেই, তাৰ বাজে আন দেশৰ সাহিত্য এনেকি সংস্কৃত পালি আদিৰ প্ৰাচীন গ্ৰন্থবিলাকো আলোচনা কৰি যি অমৃত উদ্ধাৰ কৰিব পাৰিছে, তাক নিজ ভাষালৈ অনুবাদ কৰি জাতীয় সাহিত্যৰ ভঁৰাল পূৰ্ণ কৰিছে। আজি প্ৰাচ্যৰ কিবা বিষয় আলোচনা কৰিব লাগিলে ইংৰাজী বা জাৰ্ম্মান সাহিত্যৰ মুখলৈ চাব লাগে! আমাৰো সাহিত্যিকসকলৰ প্ৰধান কৰ্ত্তব্য হোৱা উচিত এফালে যেনেকৈ নতুন ভাবধাৰা প্ৰচাৰ কৰি মৌলিকত্ব দেখুৱা, আনফালে তেনেকৈ জগতৰ সাহিত্য সিন্ধু মন্থন কৰি অমৃত, গৰল, উচ্চৈশ্ৰৱা, ঐৰাৱত প্ৰভৃতি যিহকে পোৱা যায় তাকে লৈ নিজ সাহিত্যৰ কলেবৰ বৃদ্ধি কৰা। আকৌ সেইবোৰকো লৈ জাতীয় ভাবত গঢ়ি সমাজৰ উপযোগী কৰি প্ৰচাৰ কৰাও দৰকাৰ। ৰসগ্ৰাহী মৰালে নীৰৰ পৰা ক্ষীৰ উলিয়াই নতুন নতুন ভাব দেশৰ আগত দাঙ্গি ধৰক। আমি দেখি ৰং পাইছোঁ যে আহোম ভাষাৰ কিতাপৰ অনুবাদ হব লাগিছে।

যাৰ যিমান শক্তি সেই অনুসাৰে এটা কৰ্ত্তব্য হিচাপে দেশৰ সাহিত্যক সহায় কৰক। বৰ্ত্তমানে আমাৰ বিশেষ দৰকাৰ নানা তত্ত্ব, জ্ঞান, বিজ্ঞান, দৰ্শন, জীৱনী, শিল্পকলা, ব্যৱসায়, বাণিজ্য, স্বাস্থ্য, চিকিৎসা সম্বন্ধীয় আৰু নাটক, উপন্যাস, কাব্য প্ৰভৃতি কিতাপৰ। কোনো কোনো বিষয়ৰ কিতাপ অৰ্থকৰী নহয় বুলি সাধাৰণে প্ৰকাশ কৰিবৰ ইচ্ছা নকৰে। এই নিমিত্তে এই বিষয়ে সাহিত্য সভাই মন দিব লাগিব। কিন্তু বিজ্ঞান, ৰসায়ন প্ৰভৃতি শাস্ত্ৰৰ কিতাপবোৰ কলেজ প্ৰভৃতিত নচলিলে অকল অৰ্থব্যয় হে হয়। গতিকে এইবিলাক বিষয় শিক্ষা দিবলৈ জাতীয় ভাষাক প্ৰাধান্য দিয়াটো সকলো দেশতে প্ৰয়োজনীয় বুলি ভাবে। তাৰ বাজে জাতীয় সাহিত্য আলোচনাৰ নিমিত্তে অসংখ্য পাঠাগাৰ প্ৰতিষ্ঠা কৰাটো সকলোতকৈ বেছি আৱশ্যকীয়। নানা পাঠাগাৰৰ ভিতৰেদি জাতীয়

সাহিত্যৰ প্ৰতি সৰ্ব্বসাধাৰণ দৃষ্টি আকৰ্ষণ কৰিব পাৰিব। এইবোৰ প্ৰতিষ্ঠান বা সাহিত্য কেন্দ্ৰৰ কৰ্ত্তব্য হব—বচনা, তৰ্ক, খণ্ড অভিনয়, আবৃত্তি, আদিৰ প্ৰতিযোগিতাৰ্লৈ সৰ্ব্বসাধাৰণক আহ্বান কৰা আৰু তাৰ বাবে উপযুক্ত পুৰস্কাৰৰ ব্যৱস্থা কৰা। কোৱা বাহুল্য, প্ৰতিযোগিতাৰ ভিতৰেদি জগতৰ যাবতীয় উন্নতি। আমাৰ দেশত বহুত সত্ৰ আৰু দেৱালয় আছে। ইচ্ছা কৰিলে ইয়াৰ প্ৰতিখনতে এনে একোটা সাহিত্য প্ৰতিষ্ঠান গঢ়ি তোলা অসম্ভৱ নহয় যেন লাগে। সকলো ঠাইত সকলো বিষয় নহলেও ধৰ্ম্মসংক্ৰান্ত সাহিত্যৰ আলোচনা দস্তুৰমতে চলাব পাৰি। পাশ্চাত্য দেশৰ সহৰভাগ শিক্ষাৰ প্ৰতিষ্ঠান চলে তাৰ চাৰ্চ বিলাকৰ দ্বাৰা, আৰু তাৰ অধ্যাপকসকল সেই চাৰ্চবিলাকৰ বিজ্ঞ পাদ্ৰী। যি প্ৰতিযোগিতা, পুৰস্কাৰ আৰু উপাধি-বিতৰণৰ ব্যৱস্থা হব লাগে।

যি হ'ক ইয়াৰ বাহিৰেও নানা সাহিত্য সভা বা সমিতিপৰা প্ৰতিবছৰে উপাধি বিতৰণৰ ব্যৱস্থা হোৱাও দৰকাৰ। গুণগ্ৰাহিতাৰ পৰা যে মানুহৰ উৎসাহ বাঢ়ে সেই কথা নকলেও চলিব। অসমৰ সাহিত্যৰথী শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙ্গৰীয়াৰ সংবৰ্দ্ধনাৰ ব্যৱস্থা হৈছে, ই বৰ বং লগা কথা। তেখেতৰ বসৰ নিবেদন ব্যৰ্থ হোৱা নাই। গুণীয়ে গুণৰ মৰ্ম্ম বুজে। এতেকে গুণগ্ৰাহী সাহিত্যিক সকলো শলাগৰ পাত্ৰ।

আমাৰ দেশখনত কিতাপ লিখি বোলে কোনেও কেড়িয়াও টকা আজ্জিব নোৱাৰে। ইয়াৰ কাৰণ কি? কোনো কোনোবাই দেশৰ আৰ্থিক অৱস্থাৰ লগত ইয়াৰ সম্বন্ধ বিচাৰে। কিন্তু সি সঁচা বুলি মনত নধৰে। আজিকালি দেশৰ শিক্ষিত সকলৰ উচ্চ শিক্ষা বিশেষকৈ ইংৰাজী আৰু সংস্কৃতত। কিবা আলোচনা কৰিব লাগিলে তেওঁলোকে মূল গ্ৰন্থ বিচবাকে সুবিধা যেন দেখে। তেনে অৱস্থাত দেশীয় ভাষাত কোনো বিষয়ৰ সংক্ষিপ্ত অনুবাদ পঢ়িবৰ প্ৰবৃত্তি নোহোৱাটো স্বাভাৱিক। কিতাপ লাগে সৰ্ব্বসাধাৰণৰ নিমিত্তে, আৰু বিষয়বোৰৰ বিশদ আলোচনা থাকিব লাগে; কিন্তু বহল আলোচনাও কোনো প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত হোৱা নাইহি কিবা গবেষণাত নিবিষ্ট থকাজনৰ বাহিৰে আন মানুহৰ পঢ়িবৰ আহবি নিচেই কম। এই কাৰণে আলোচনীৰ ভিতৰেদি সহজ আৰু সবল ভাষাৰে আলোচনা কৰা সংক্ষিপ্ত বিষয়বোৰত আলসৰ পাঠকৰূপে চকু ফুৰাই যোৱা আৰু পল্লৱগ্ৰাহিতা বৃত্তি চৰিতাৰ্থ কৰা মানুহৰ স্বভাৱ। আৰ্হি সকলো বিষয় সকলোবে মনঃপূত নহয় বুলি সাধাৰণৰ নিমিত্তে গল্প, উপন্যাস, নাটক আদিৰ প্ৰয়োজন। পক্ষান্তৰে এইবোৰৰ সহায়ৰে কৌশলেৰে নানা সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰা উচিত। কোৱা বাহুল্য উপদেশতকৈ আদৰ্শ ভাল, বক্তৃতাতকৈ অভিনয় বহুগুণে কাৰ্য্যকৰী। মহাপুৰুষীয়া ধৰ্ম্ম প্ৰচাৰত বহুতখিনি সহায় কৰিছিল নামকীৰ্ত্তনৰ লগে লগে মহাপুৰুষীয়া ভাৱনাই। বৰ্ত্তমানে কি লোকশিক্ষা, কি লোকমত গঠন বা প্ৰচাৰ—সকলো কামতে ছায়াচিত্ৰাভিনয়ে কেনে প্ৰাধান্য লাভ কৰিছে তাক নকলেও চলে। এই চলচ্চিত্ৰ অৰ্থাৎ বায়স্কোপৰ গুৰিত গল্প আৰু অভিনয় বৰ্ত্তমান।

এইবোৰৰ ভিতৰেদি মানুহৰ প্ৰবৃত্তি জগাই তুলিব পাৰি। নানা ঘটনাপূৰ্ণ সহজ পাঠৰ সহায়েৰে পাঠক-সমাজ গঢ়ি তুলিব পাৰিলে মানুহে তেতিয়া কিতাপ গল্প-উপন্যাস প্ৰভৃতিৰ প্ৰভাৰ। এবিৰ নোৱাৰা হব। কিতাপ সুপাঠ্য আৰু সুখপাঠ্য হলেই আগ্ৰহ বাঢ়িব। এইবাবে অকল ভাবতেই নহয় পৃথিবীৰ প্ৰায় সকলো দেশৰে কিতাপৰ সবহভাগ দোকানতে বোলে গল্প-উপন্যাস আদিৰ কিতাপ ভৰি থাকে। আৰু নেকি প্ৰধানতঃ তেনে ধৰণৰ কিতাপৰ বাবেহে সিবিলাক চলি আছে। য়ুৰোপ, আমেৰিকা প্ৰভৃতি ঠাইৰ মাহেকীয়া, পখেকীয়া আদি কাকতৰ কথা কবই নালাগে; এনেকি সাদিনীয়া আৰু দৈনিক বাতৰিতো গল্প উপন্যাস প্ৰকাশ হোৱা দেখিবলৈ পোৱা যায়। কিন্তু আমাৰ আলোচনীবিলাকত গল্পৰ সংখ্যা সহজ দেখিবলৈ পোৱা নাযায়—উপন্যাস প্ৰায় নাই বুলিলেই হয়। ভ্ৰমণ বৃত্তান্ত প্ৰভৃতি নানা দেশ, বিদেশ, নকহুমি, সাগৰ, পৰ্ব্বত, সুমেৰু-কুমেৰু প্ৰভৃতিৰ বৰ্ণনাৰো সেই একে অৱস্থা। কদাকচিৎ ওলালেও সি ডায়েৰী লিখাৰ নিচিনা লিখকৰ গতিবিধি আৰু খোৱা-লোৱাৰ কথাবে ভৰা। দেখা বস্তু বা বিষয়বোৰৰ বিশ্লেষণেৰে বস সৃষ্টিৰ অভাৱ। গতিকে সেইবিলাক কাকতলৈ আদৰো তিনাইনেই দেখা যায়। অথচ এই দেশত নাটক, উপন্যাস আদিৰ কিমান বিচিত্ৰ উপাদান আছে তাক বুৰঞ্জীপাঠকসকলে ভালদৰে জানে। আমাৰ দেশৰ এইবিলাক ঘটনা বাজস্থানৰ ঘটনাতকৈ কোনো অংশে কম আকৰ্ষণৰ বিষয় নহয়। এইবিলাক অৱলম্বন কৰি বীৰ, কৰুণ আদি বিভিন্ন ৰসেৰে দেশ আপ্লুত কৰি মানুহৰ মনত নানা প্ৰেৰণা জগাই তুলিবলৈ সাহিত্যিক সমাজৰ বিশেষ চেষ্টা হব লাগে। কোৱা বাহুল্য সাহিত্যিকৰ আলোচনীৰ উদ্দেশ্য কৰ্ত্তব্য—নিজ দেশৰ সকসুৰা ঘটনাকো ডাঙ্গৰ আৰু মহান্ কৰি সমাজত ডাঙ্গি ধৰা। বহুত মতে শিৰ ফুটা সম্পাদক হলে নাইবা খ্যাতনামা লিখকৰ লিখা ওলালে কাকতৰ আদৰ বাঢ়ে। এই কথা আংশিককপে সচা হলেও আজিলৈকে বহুত খ্যাতনামা সম্পাদকৰ হাতত পৰিও কাকতৰ একো উন্নতি হোৱা নাই, দেখা গৈছে। অকল ডাঙৰ আৰু জটিল সমস্যা সমাধান কৰাটোৱেই বা নৈতিক উপদেশ দিয়াটোৱেই আলোচনী বিলাকৰ উদ্দেশ্য নহয়। বিভিন্ন কচিৰ মানুহৰ মনৰ হেঁপাহ পুচাবৰ উপযোগী বিষয়বস্তুৰ অৱতাৰণা থকা আৱশ্যক। আমাৰ অভাৱ এই খিনিতে। আন এটা চাবলগীয়া বিষয় হৈছে—প্ৰতিষ্ঠাবান লিখকৰ অভাৱত বহুত সময়ত অপেক্ষাকৃত কম গধুৰ ভাবৰ বচনাকো প্ৰকাশ কৰিবলৈ বাধ্য হব লাগে। অৱশ্যে নতুন সাহিত্যিক সকলকো সুবিধা আৰু উৎসাহ দিয়া বৰ আৱশ্যকীয়; কিন্তু মজিলৰ কথা এই যে, তেনে ধৰণৰ লিখা প্ৰকাশ হোৱা দেখি খ্যাতিমন্ত সাহিত্যিক সকলে হাত কোঁচাই বহে। ইয়াৰ পৰা অকল যে কাকতৰে ক্ষতি তেনে নহয়; লগে লগে চৰ্চ্চাৰ অভাৱত তেওঁলোকবো লিখাৰ অভ্যাস কমি আহে।

গতিকে লিখক, কাকত-পাঠক আৰু পৰিচালক এই তিনিও সম্প্ৰদায়ৰে সমানে ক্ষতি হয়। এক কথাত কব লাগিলে ই এটা জাতীয় ক্ষতি। অসমত এটা ভাল লাইব্ৰেৰী নথকাৰ বাবে বিভিন্ন বিষয় অধ্যয়ন কৰিবৰ সুচল নাই। এতেকে লিখকৰ পক্ষে নিতৌ নতুন বিষয় আলোচনা কৰিবৰ সুবিধা নঘটে। এই অভাৱ দূৰ কৰাৰ নিমিত্তে বৰোদা ৰাজ্যৰ নিচিনা লাইব্ৰেৰী আন্দোলন আমাৰ দেশতো চলোৱা উচিত। বঙ্গদেশত ইয়াৰ অনুকৰণ চলিছে। যি হ'ক আমাৰ দেশত যিমান দিনলৈকে পাঠকসমাজ গঢ়ি সুঠে তিমান দিনলৈকে আমাৰ জাতীয় সাহিত্যৰ উন্নতি বা মঙ্গলৰ নিমিত্তে শিক্ষিত সমাজে অলপ স্বাৰ্থত্যাগ কৰি কাকত বা কিতাপবিলাকক উৎসাহ দি জীয়াই বাখিবৰ চেষ্টা কৰা উচিত। নহলে কিতাপ লিখক নাইবা আলোচনী আৰু কাকতৰ পৰিচালকসকলৰ ব্যক্তিগত স্বাৰ্থত্যাগৰ পৰা সাহিত্যৰ উন্নতিৰ আশা সুদূৰ পৰাহত। সাহিত্য প্ৰচাৰ সম্বন্ধে আৰু এটা বিষয় আনৰ অনুকৰণ কৰিব লগীয়া। যদি কাকত চলাওঁতাসকল প্ৰকাশক (Publisher) হব পাৰে আৰু কিতাপ ছপাই সেইবোৰ পুৰস্কাৰৰূপে গ্ৰাহক সকলক অলপ বেচতে দিব পাৰে, তেনেহলে কাকতৰ গ্ৰাহকৰ সংখ্যা বঢ়াৰ লগে লগে কিতাপো সহজকৈ বিক্ৰি যোৱাত লিখকৰ উপকাৰ হব পাৰে। আৰু এনেভাৱে উৎসাহ পালে লিখকৰ অভাৱ নহব যেন লাগে। তেতিয়া প্ৰতিযোগিতাও অৱশ্যম্ভাবী।

আমি এইবিলাক বিষয়ত কোনো ফালেদি হতাশ হলে নহলিব। আমাৰ ওচৰৰ বঙ্গদেশে কলিকতাৰ নিচিনা এখন ডাঙৰ চহৰ আৰু বঙ্গাজমিদাৰ, বেপাৰী-মহাজন আদিৰ সহায় পায়ো,

বিশেষতঃ য'ত তিনি চাৰি কৌটি মানুহ এক ভাষাভাষী বুলি প্ৰকাশ, সাহিত্যৰ উন্নতি চকুৰ আগতে সাধন কৰিলে বুলি কব পাৰি। তাতো কিমান আলোচনী, কিমান বাতৰি কাকত, কিতাপ আদি ওলাল আৰু লুকাল তাৰ সীমা-সংখ্যা নাই। এইবিলাক দেখি আমাৰো আশা হয়, অসমীয়া সাহিত্যৰ বৈচিত্ৰ্যই এদিন জগতক মুগ্ধ কৰি তুলিব পাৰিব। লাগে কেৱল স্থিৰ লক্ষ্য, অধ্যৱসায় আৰু একনিষ্ঠতা।

সাহিত্যিক সমাজত সাহিত্যৰ গঢ়গতিৰ বিষয় কব যোৱাটো ধৃষ্টতা মাথোন। তথাপি এই কেইষাৰ কলে বোধ হয় বিশেষ বেছি কোৱা নহব যে গতিশীল জগতৰ সকলো পৰিবৰ্ত্তনশীল। গতিকে ভাষাৰ আকৃতি যে সময়ৰ লগে লগে ক্ৰমে বদলি যাব তাক কোৱা বাহুল্য মাথোন। আকৌ প্ৰকৃতিৰ পৰিবৰ্ত্তন স্বত্তেও পৃথিবীত এটা অপৰিবৰ্ত্তনীয় শৃঙ্খলা, এটা মিল দেখিবলৈ পোৱা যায়। তেনেকৈ ভাষাৰ বিষয়তো নানা পৰিবৰ্ত্তনৰ মাজতো সাদৃশ্য থাকে। এনে সাদৃশ্যৰ ভিতৰেদি 'ইন্দো-য়ুৰোপীয়ান' ভাষাৰ কথা ওলাইছে। অকল এয়ে নহয়, চীন প্ৰভৃতি আৰু এনেকি আফ্ৰিকা আদি ঠাইৰো কিছুমান কথাৰ মিল আমাৰ ভাষাৰ লগত পোৱা যায়। প্ৰাকৃত আৰু সংস্কৃত কথা লৈ আৱশ্যক নাই। আদিৰ পৰা বৰ্ত্তমানলৈকে কামৰূপৰ ভাষাৰ ক্ৰম নিৰ্দ্দেশ কৰাও আমাৰ উদ্দেশ্য নহয়। কেৱল ইয়াকে কলে যথেষ্ট হব যে সংস্কৃতকে প্ৰাদেশিক ভাষাবিলাকৰ আদি জননী বুলি বহুতে কলেও যেতিয়া ভাৰতবাসীয়ে সাৰ্ব্বজনীন সংস্কৃত ভাষা এৰি প্ৰাদেশিক ভাষাৰ ফালে মন দিলে তেতিয়াৰ পৰা এই জাতীয় ভাষা বিলাকে নিজ নিজ পৰিবৰ্ত্তন বা উন্নতিৰ বাটত আগ বাঢ়ি আন ৰূপ ধাৰণ কৰিলে। কিন্তু সমগ্ৰ ভাৰতৰ ভাষাৰ ভিতৰত এটা সাদৃশ্য থাকি গ'ল। আৰু পালি-প্ৰাকৃতিকৰ নিচিনা আন কোনোটোৱে গোটেই ভাৰতৰ ভাষাৰ নহলেও গুৰিৰ ভাষা বিলাকত যিমান দূৰ সম্ভৱ সংস্কৃতক প্ৰাধান্য দি, সাৰ্ব্বজনীন কৰিবৰ চেষ্টা চলিছিল যেন লাগে। এনেকৈ প্ৰাচীন কামৰূপী ভাষা আৰু বঙলা ভাষা প্ৰায় একে বুলিলে হয়। শঙ্কৰ দেৱ আৰু মিথিলাৰ বিদ্যাপতিৰ ভাষা প্ৰায় একে। তুলসীদাসৰ ৰামায়ণৰ ভাষা আৰু পুৰণি ভাষা বৰ বেলেগ নহয়। কিন্তু বৰ্ত্তমানে পৰস্পৰৰ মাজত ইমান পাৰ্থক্য হৈ পৰিছে আৰু হব ধৰিছে যে কেৱল মাত্ৰ শব্দবোৰৰ ধাতুৰ মিলৰ বাহিৰে আন সম্বন্ধ বিচাৰি উলিৱা টান। বিকৃত উচ্চাৰণ আৰু আন ভাষাৰ পৰা শব্দ নিৰ্ব্বাচন প্ৰভৃতিৰ দ্বাৰা ভাষাৰ আকৃতি ভিন ভিন হোৱাটো স্বাভাৱিক। তাৰ বাহিৰেও প্ৰতিভাৱান লিখক সকলৰ ঘৰুৱা ভাষাও ইচ্ছা বা অনিচ্ছাতে হক সাহিত্যত ঠাই পাই সি ভাষাৰ আকৃতি সলনিত বেছিকৈ সহায় হয়। সেই পৰিবৰ্ত্তনৰ গতি কোনেও বোধ কৰিব নোৱাৰে। কিন্তু আজিকালিৰ কিছুমানে প্ৰতিভাৱান হবৰ নিমিত্তে বদলাওঁ বুলি ভাষা বদলাবলৈ ওলাই ভাষা-বিপ্লৱৰ সৃষ্টি কৰিব খোজে।

প্ৰাদেশিক ভাষাৰ মাজত সাদৃশ্য

এনেবিলাক আৰু নানা পৰিবৰ্ত্তনৰ মাজেদি আমাৰ পুৰণি ভাষা (কামৰূপী) আহি বৰ্ত্তমান অৱস্থা পালেও ই যে সেই ভাষাই আছে তাক অনায়াসে চিনিব পাৰি। কোনো জাতি বা প্ৰদেশৰ সকলো ঠাইৰে ভাষা একে নহয়। প্ৰতি যোজন অন্তৰে ভাষাও কিছু ভিন হয়। কিন্তু তেনে ধৰণৰ পাৰ্থক্য অকল কথ্য ভাষাতে দেখিবলৈ পোৱা যায়। লিখিত ভাষা যিমান দূৰ সম্ভৱ একে থাকে আৰু ই তাৰ তুলনাত কিছু অংশে স্থিতিশীল। ই কোনো ৰাজধানী বা কোনো সিদ্ধপীঠ নাইবা তেনে ধৰণৰ সাধাৰণৰ সন্মিলনৰ ঠাইৰ, ভাষাকে কেন্দ্ৰ কৰি গঢ়ি উঠে। লগে লগে যি গাওঁ বা জিলাবাসীৰ প্ৰাধান্য সাহিত্যিক সমাজত সৰহ হয় তাৰ কথিত ভাষাৰ নানা শব্দ লিখিত ভাষাত ঠাই পাবলৈ ধৰে। ইয়াৰ বাহিৰেও নানা জাতিৰ বা দেশৰ সংশ্ৰৱলৈ আহি আচাৰ ব্যৱহাৰৰ নিচিনাকৈ সেইবিলাক জাতিৰ কিছুমান প্ৰচলিত শব্দও নিজ ভাষাত ঠাই পায়হি। এনেকৈ এফালে ভাষাৰ শব্দসম্ভাৰ বঢ়াৰ লগে লগে আনফালে তাৰ

ভিন অৰ্থ আৰু শব্দপৰ্য্যায় সৃষ্টি হোৱা দেখিবলৈ পোৱা যায়। সংস্কৃতত লিঙ্গ প্ৰকৰণ বুলি আৰু এটা বিষয় আছে। সুখৰ বিষয়, কামৰূপৰ ভাষাত তাৰ বিশেষ কোনো উপদ্ৰৱ নাই। যি হক ইয়াৰ পৰাই প্ৰাদেশিক ভাষাৰ অভিধানৰ সৃষ্টি। এনে সৃষ্ট ভাষা নিয়ন্ত্ৰণৰ নিমিত্তে ব্যাকৰণ। ব্যাকৰণৰ দ্বাৰা নিয়ন্ত্ৰিত ভাষাই স্থায়ী। এই ভাষাৰ ভিতৰেদি জাতিৰ জাতীয় ভাব আৰু আকাঙ্ক্ষা প্ৰভৃতি প্ৰকাশ পায়। এইদৰেই মধ্য আৰু উত্তৰ ভাৰতত মোগলৰ দিনত উৰ্দ্দু ভাষাৰ সৃষ্টি হৈছিল। আৰু তেনেকৈ পৌৰাণিক যুগত পালি প্ৰাকৃত প্ৰভৃতিৰ প্ৰাদুৰ্ভাৱ হৈছিল। আৰু সেইবোৰৰ সংস্কাৰ হৈ সংস্কৃত ভাষা হক বা সংস্কৃত ভাঙি পালি প্ৰাকৃত হক, মুঠ কথা, সংস্কৃতেই আৰ্য্যধৰ্ম্মাৱলম্বী সকলৰ মাজত এটা মধ্যস্থ ভাষাৰূপে চলি আহিছে। এই কাৰণেই আজি সংস্কৃতৰ ইমান আধিপত্য।

আমাৰ দেশৰো জিলা বা গাৱেঁপ্ৰতি ভাষাৰ কম-বেছি পাৰ্থক্য দেখা গলেও লিখিত ভাষা সেই একে নিয়মে গঢ়ি উঠিছিল। আৰু তাক স্থিতিশীল কৰিবলৈ ব্যাকৰণ অভিধান আদিৰো সৃষ্টি হৈছিল। কিন্তু প্ৰচলিত জীৱন্ত ভাষাত নিতৌ নতুন শব্দ, ধাতু আৰু পুৰণি শব্দৰ অৰ্থৰ পৰিবৰ্ত্তন স্বাভাৱিক বুলি কেইবছৰমান পিছত অভিধান আদি সংস্কাৰৰো প্ৰয়োজনে আহি দেখা দিয়ে। এই কথা ভাষাতত্ত্ববিদ পণ্ডিত সকলে স্বীকাৰ কৰে। হেমচন্দ্ৰ বৰুৱাৰ অক্ষয় কীৰ্ত্তিস্তম্ভস্বৰূপ 'হেমকোষ' আৰু শ্ৰদ্ধাস্পদ শ্ৰীযুত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ 'খণ্ড-বাক্যকোষ' পুৰণি হৈ গল। এতিয়া দুয়োখনৰে সংস্কাৰ আৱশ্যক হৈ পৰিছে। ই ৰং লগা কথা যে এই আৱশ্যকতা উপলব্ধি কৰি ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ দানৰ ওপৰতে এখন নতুন অভিধান হব ধৰিছে। আৰু লগতে ব্যাকৰণ এখনো হব লাগিছে বুলি শুনা গৈছে। এই মহৎ কাৰ্য্যৰ নিমিত্তে তেখেত গোটেই অসমীয়াৰে শলাগৰ পাত্ৰ। যিমান দিন অসমীয়া ভাষা থাকিব তিমান দিন তেওঁৰ এই অক্ষয় কীৰ্ত্তিয়ে তেওঁক মৰলোকত অমৰ কৰি ৰাখিব। কেবছৰমানৰ আগেয়ে 'আসাম বান্ধৱ'ত শ্ৰীযুত কালিৰাম মেধি, এম-এ মহাশয়ৰ বহল ব্যাকৰণ সম্বন্ধে এটা ধাৰাবাহিক প্ৰৱন্ধ প্ৰকাশ হবলৈ ধৰা দেখা গৈছিল। কি কাৰণে সি সম্পূৰ্ণ হৈ কিতাপৰ আকাৰত ওলাবলৈ নাপালে তাক তেৱেঁহে কব পাৰে। ওলালে দেশৰ পক্ষে মঙ্গলজনক আছিল।

যি ভাষাৰ শব্দসম্ভাৰ সৰহ সেই ভাষাই উন্নত, তাক কোৱা বাহুল্য। সেইবাবে সাহিত্যৰ ভিতৰত নানা শব্দৰ যোজনা লিখক সকলৰ এটা গৌৰৱৰ কথা, তাত সন্দেহ নাই। বিচিত্ৰ শব্দপ্ৰয়োগ হিচাপে জাপানৰ ভাষাই পৃথিবীৰ সকলো ভাষাতকৈ শ্ৰেষ্ঠ। এই বিষয়ত অসমীয়া সাহিত্যয়ো ভাৰতৰ নানা ভাষাৰ সাহিত্যৰ ভিতৰত সৰ্ব্বোচ্চ স্থান অধিকাৰ কৰিছে যেন লাগে। তেনেস্থলত যিসকল শব্দ ভাষাৰ লালিত্য, সাহিত্যৰ অলঙ্কাৰ আৰু ভাব প্ৰকাশৰ সুবিধাৰ নিমিত্তে দৰকাৰ, তেনে শব্দ অকল ভিন ভিন জিলাৰ পৰাই নহয়, আন আন ভাষাৰ পৰাও লোৱা উচিত। চৈনিক, আৰবী, পাৰ্চ্ছী, পৰ্ব্বতীয়া এনেকি ইংৰাজী শব্দ হলেও তাক গ্ৰহণ কৰাত আমাৰ আপত্তি কৰা অনুচিত। বৰ্ত্তমানে বহুত ইৰাজী শব্দৰ ভাব প্ৰকাশৰ বাবে বন্ধনীৰ ভিতৰত মূল ইংৰাজী লিখিব লগা হয়। কিন্তু তাকে নকৰি এনে ধৰণৰ শব্দ ললে ভাষাৰ শ্ৰীবৃদ্ধি সাধনেই হব যেন লাগে। অৱশ্যে পৰিভাষা সৃষ্টি হক, সি একো দোষৰ কথা নহয়। কিন্তু বিনাকাৰণে ভাষাত আন শব্দ ব্যৱহাৰ কৰিলে অনাহকত তাক ভাৰাক্ৰান্ত কৰাহে হব। কিছুমানে সহজ আৰু প্ৰাঞ্জল শব্দৰ অৰ্থ গাৱঁলীয়া কথাকে বুজাবলৈ মন কৰে। কিন্তু তেওঁলোকে মনত ৰখা উচিত যে সেইবোৰ শব্দ সেই গাওঁ বা জিলাৰ পক্ষে আদৰণীয় আৰু সুবিধাজনক হলেও সকলোৰে পক্ষে নহয়। অতিমাত্ৰাত অভিধানত নথকা গাৱঁলীয়া কথা ব্যৱহাৰ কৰাও যেনে, আকৌ দাঁত ভগা সংস্কৃত শব্দেৰে ভাষা গধুৰ কৰিবৰ চেষ্টা কৰাও তেনে। প্ৰতিকথাতে অভিধান মেলি গ্ৰন্থৰ ৰস গ্ৰহণ কৰিবৰ আগ্ৰহৰ পৰিবৰ্ত্তে সি তেনেই বিৰক্তিৰ

কাৰণ হৈ পৰা সম্ভৱ। সেই বুলি কিছুমানৰ সংস্কৃতাতস্ক আছে, তাকো ভাল বুলি কব নোৱাৰি; কাৰণ যুগে যুগে সংস্কৃত ভাষা এটা সাৰ্ব্বজনীন আৰু মধ্যস্থ ভাষাৰূপে চলি অহাৰ কাৰণে জিলাবিশেষৰ গাৱঁলীয়া ভাষাতকৈ সি সহজবোধ্য আৰু অভিধানতো তাৰ মানে পোৱা সহজ। আকৌ ভাৰ অনুসৰি তাৰ ভাষা অৰ্থাৎ শব্দৰ ঝঙ্কাৰ অলঙ্কাৰ আদিও হোৱা দৰকাৰ, তাক সাহিত্যিক সকলে স্বীকাৰ কৰে। শব্দৰ লগত তাৰ বানানৰ ফালে চকু দিয়াও সাহিত্যিকৰ এটা কৰ্ত্তব্য। অকল আনৰ অনুকৰণ কৰি বানানৰ প্ৰিন্নৰ আনিলে তাৰ পৰিণাম ধ্বংসও হব পাৰে। ইংৰাজী ভাষাত নতুন 'ষ্টাইল' দেখিবলৈ পোৱা যায়। কিন্তু তাৰ বানান একে দৰে চলিছে। ব্যাকৰণৰ নিয়মৰো কোনো ব্যতিক্ৰম তেওঁলোকে কৰিব নোখোজে। আমেৰিকাই বানান সম্বন্ধে অলপ গোলমালৰ সৃষ্টি কৰি তুলিছে অৱশ্যে। কিন্তু তেওঁলোকৰ শব্দৰ বানান আৰু আমাৰ দেশৰ বানানৰ ভিতৰত ব্যৱধান বহুত।

উচ্চাৰণ সমস্যা

অসমীয়া ভাষাত শব্দৰ শেহত বা মাজত স্বৰবৰ্ণৰ ব্যৱহাৰ আগৰে পৰা চলি আহিছে। এতিয়া 'চ' আৰু 'ছ' লৈ মহা গোলমালৰ সৃষ্টি হৈছে। 'শ', 'ষ', 'স' আৰু 'ন', 'ণ' বিষয়েও সমস্যা আছে। আকৌ ট-বৰ্গ আৰু ত-বৰ্গ আৰু হ্ৰস্ব-দীৰ্ঘ লৈও গোলমাল কম নহয়। এই নিমিত্তে বহুতে কিছুমান বৰ্ণ বাদ দিয়াৰ পক্ষপাতী। আকৌ, কিছুমানে বৰ্ণ বাদ দিদি কিবা এটা মীমাংসা কৰি লৈ সেইমতে চলিব খোজে। কিন্তু এবাৰ ভাবি চোৱা উচিত, এতিয়ালৈকে ব্যাকৰণ পঢ়িবৰ সময়ত আখৰবিলাকৰ উচ্চাৰণৰ ঠাই সংস্কৃতৰ মতে মুখস্থ কৰিব লাগে। এনে অৱস্থাত যদি সেই উচ্চাৰণ কাৰ্য্যতঃ কৰা হয় তেনেহলে আৰু কোনো গোলমালেই নাথাকে। অৱশ্যে অকল যে আমাৰ অসমেই এই দোষত দুষ্ট এনে নহয়। সকলো দেশতে কম-বেছি পৰিমাণে উচ্চাৰণৰ গোলমাল দেখিবলৈ পোৱা যায়। চিন্তামণিক (Chintamani) শিন্তামণি (Shintamani) উচ্চাৰণ কৰা হিন্দী ভাষাভাষীকো দেখা যায়। চিকাগো (Chicago) আৰু শিকাগো (Shicago) এই দুবিধ উচ্চাৰণো শুনা যায়। যি হক সকলো প্ৰদেশতে সংস্কৃতমূলক শব্দত থকা আখৰ বিলাক নিজ ভাষাত কেনেকৈ উচ্চাৰিত হয়, তাকে আদৰ্শ কৰি লৈ আখৰ বিলাকক ভাষাৰ আন শব্দলো ব্যৱহাৰ কৰিব ধৰিছে। কিন্তু যেতিয়া কোনো বৈদেশিক শব্দৰ উচ্চাৰণ লিখিব লগীয়া হয়, তেতিয়া সংস্কৃত ব্যাকৰণৰ উল্লেখ থকা উচ্চাৰণৰ ঠাইক অনুকৰণ কৰি আখৰ ব্যৱহাৰ কৰিবলৈ বাধ্য হয়।

আখৰৰ তলত বিন্দু চিন

উৰ্দ্দু ভাষাত কিছুমান আখৰৰ উচ্চাৰণ সংস্কৃতৰ কোনো এটা বৰ্গৰ দুই আখৰৰ মজামজিৰ নিচিনা হয়। সেই নিমিত্তে হিন্দী আখৰলৈ উৰ্দ্দু ভাষা লিখিবৰ কাৰণে যি আখৰৰ উচ্চাৰণটো উৰ্দ্দুৰ ওচৰা-উচৰি তাৰ তলত এটা বিন্দু বহুৱাই লৰৰ ব্যৱস্থা কৰিছে। অসমীয়া ভাষাত তেনে কোনো ব্যৱস্থা নথকাৰ নিমিত্তে বিদেশী উচ্চাৰণ দেখুৱাবৰ বিশেষ অসুবিধা হৈ পৰে। ইংৰাজী ch. chh, s, sh এই চাৰিওটাৰ বাবে চ বা ছ ব্যৱহাৰ কৰিবলৈ অসুবিধা হোৱাত আজিকালি কোনো কোনো লিখকে বাধ্য হৈ 's'ৰ ঠাইত ছ আৰু 'sh'ৰ ঠাইত শ্ব বা শ্ব লিখিছে। আকৌ কোনোবাই কোনোবাই দন্তৰমতে ব্যাকৰণৰ উচ্চাৰণৰ ঠাইকে আশ্ৰয় লৈছে। এই সম্বন্ধে ভাষাৰ বিশেষৰ বা বক্ষণশীলতাৰ দোহাই নিদি বিষয়বোধ যাতে সহজ হয় তেনে কৰা উচিত। এনেয়ো সম্প্ৰতি আমাৰ আখৰৰ ফালে মন কৰিবৰ সময় আছিছে যেন লাগে। কামৰূপী আখৰৰ বিশেষত্ব বহুদিন আগেয়ে লোপ পাইছে। চলিত আখৰ বিলাক ক্ৰমোন্নতিৰ বাটেদি আহি বৰ্ত্তমান অৱস্থা পালেও এতিয়ালৈকে গাৱঁলীয়া মানুহে পুৰণি পুথিৰ আখৰবিলাক পাহৰা নাই। সেই আখৰ বিলাক সংস্কৃত বা নাগৰী আখৰৰ প্ৰায় ওচৰাউচৰি। হিন্দী ভাষা ভাৰতৰ সাধাৰণ ভাষা হব বুলি মন চলিছে যেতিয়া, আৰু নাগৰী আখৰৰ অলপ বেছ-কম কৰি লে গুজৰাটী, মহাৰাষ্ট্ৰি, সিন্ধী, পঞ্জাবী বা গুৰুমুখী, বিহাৰী, হিন্দী প্ৰভৃতি সকলো একে ধৰণৰ হয়, তেতিয়া এই অসমীয়া বা প্ৰাচীন কামৰূপী যি নাগৰীৰ লগত মিলে, তাকে চলাই গোটেই ভাৰতৰ সাৰ্ব্বজনীন আখৰৰ লগত পৰিচিত হোৱাৰ সুবিধা বিচাৰো যুক্তিযুক্ত যেন লাগে। তায় (তিৰ্ব্বত) বা দেৱভাষাৰ আখৰৰ পৰা দেৱনাগৰী হ'ক নাইবা ভাৰতৰ পৰাই এই আখৰ তিৰ্ব্বতলৈ যাওক, দুয়ো প্ৰায় একে। আন এবিধৰ আখৰক কায়থেলী বা কায়তী বোলে। তাৰ এটা নাম ভূতনাগৰী। ইয়াৰ বিশেষত্ব—যুক্তাক্ষৰ বৰ্জ্জিত। ভূতৰ বাসভূমি ভূতস্থান অৰ্থাৎ ভোটান। এতেকে এই আখৰবিলাক আদিতে ভোটানৰ পৰা এলাহিকৈ বুলি কলে একো আচৰিত হবলৈ নাই। সি যি কি নহক ইও নাগৰী আখৰৰ এবিধ। মুঠতে অসম, বিহাৰ, যুক্তপ্ৰদেশ, নাগপুৰ, বম্বে, গুজৰাট, সিন্ধু, পঞ্জাব, কাশ্মীৰ, নেপাল এই আটাইবোৰ ঠাইৰে আখৰ একে নাইবা প্ৰায় ওচৰাউচৰি হলে ভাৰতীয় জাতীয়তাৰ পক্ষে সুবিধাৰ বাহিৰে অসুবিধা নহব যেন লাগে।

সাহিত্যৰ উন্নতি কৰিব লাগিলে প্ৰধান কথা ইয়াৰ প্ৰচাৰৰ ঠাই বহল হব লাগে। দুখৰ বিষয় অসমৰ মানুহৰ সংখ্যা আন প্ৰদেশতকৈ তাকৰ। তাৰ ভিতৰলৈ বঙালী, উৰিয়া, মাড়ৱাৰী, হিন্দুস্থানী, নেপালী, সাওতাল প্ৰভৃতিৰ সংখ্যাই সবহ। এই সকলৰপৰা অসমীয়া সাহিত্যৰ সহায় কিবা হোৱাৰ আশা কম। এনে অৱস্থাত যদি অসমৰ অধিবাসী পৰ্ব্বতীয়া জাতিবিলাকৰ মাজত আৰু মণিপুৰত, প্ৰাদেশিক ভাষা নচলে তেনেহলে আৰু দুখ ৰাখিবৰ ঠাই নাইকিয়া হব। ত্ৰিপুৰা ৰাজ্য, মণিপুৰ, গাৰোপাহাৰ আৰু ৰাঙাকচাৰী প্ৰভৃতিৰ ভাষা বিলাকৰ ভিতৰত কিছু পৰিমাণে মিল আছে বুলি ভনিবলৈ পোৱা যায়। হলেও এক নহয়। আৰু কোনো সাহিত্যৰ মাজেদি এক হবৰ সুবিধা নোপোৱাত এইবিলাকৰ মাজত পাৰ্থক্য বাঢ়ি গৈছে আৰু যাব লাগিছে। পৰ্ব্বতীয়া জাতিবিলাকৰ

সংখ্যাও তেনেই কম। এই বিলাক প্ৰতিথন জিলাৰ জাতিৰ নিমিত্তে একোটা সুকীয়া ভাষা লব লাগিলে এফালে যেনেকৈ সেইবিলাকৰ ভাষাৰ কেতিয়াও উন্নতি হবৰ আশা নাথাকে আনফালে তেনেকৈ তেওঁলোক নিজে দুৰ্ব্বল হৈ থকাৰ লগে লগে এই প্ৰদেশখনকো বলহীন কৰি থব। অথচ প্ৰতি কামতে এই উপত্যকাবাসীৰ লগত তেওঁলোকৰ সম্বন্ধ ৰাখিবৰ আৱশ্যক। এতেকে জাতীয়তাৰ ফালে চাই এওঁলোক সকলোবে প্ৰাদেশিক ভাষা শিক্ষাৰ ব্যৱস্থা হোৱা উচিত। ই একো নতুন কথা জাতীয়তাৰ ফালৰ নহয়। আহোম সকলে এই পৰা প্ৰাদেশিক দেশত তিনি শ বছৰ ৰাজত্ব কৰিও ভাষা শিক্ষাৰ নিজ ভাষা এৰি প্ৰাদেশিক ভাষা আৱশ্যকতা ধৰিছিল। কোঁচ জাতিবো 'যে এটা বেলেগ ভাষা আছিল তাৰ যথেষ্ট প্ৰমাণ আছে। এনেকি বঙলা দেশতো এটা বেলেগ ভাষা আছিল বুলি প্ৰকাশ। পিছত নিজ ভাষা এৰি আৰ্য্যভাষা ধৰিছিল বোলে। যি কি নহ'ক বৰ্ত্তমান বঙলা সাহিত্য সিদিনাথন মাথোন আৰম্ভ হৈছিল। কিন্তু ৰবীন্দ্ৰনাথ ঠাকুৰে এই ভাষাৰ কবিতাৰ মাজেদি শ্ৰেষ্ঠ ভাব ফুটাই তুলি 'নোবেল' প্ৰাইজ পাই বিশ্বকবি নাম পালে। এনে অৱস্থাত এই এমুঠি পৰ্ব্বতীয়া বা মণিপুৰীয়াই কিয় আমাৰ প্ৰাদেশিক ভাষাৰ পৰা বঞ্চিত হৈ থাকিব? এই বিষয়ে প্ৰচাৰ কাৰ্য্য লাগে।

অৱশেষত গোৱালপাৰাৰ ভাষা সম্বন্ধে এষাৰ কবৰ আৱশ্যক। দুই প্ৰদেশৰ সীমাৰ ওচৰত থকা কোনো জিলাৰ মানুহৰ ভাষাই বিশুদ্ধ হব নোৱাৰে, তাক কোৱা বাহুল্য মাথোন। গোৱালপাৰা জিলাৰ পুব ফালৰ কথা কামৰূপৰ অনুৰূপ আৰু পশ্চিম ফালৰ ভাষা তেনেকৈ মৈমনসিংহৰ ওচৰত মৈমনসিঙীয়াৰ দৰে। ৰংপুৰ, কোঁচবিহাৰ আৰু জলপাইগুৰিৰ ওচৰৰ ভাষাও সেই তিনি জিলাৰ ভাষাৰ ওচৰাউচৰি। এনে হোৱা স্বাভাৱিক। পুৰ গোৱালপাৰা মহকুমাৰ ভাষা সম্বন্ধে একো কথা নাই; কথা হৈছে পশ্চিম গোৱালপাৰা বা

ধুবুরী মহকুমা সম্বন্ধে।' এই ঠাইৰ ভাষা আলোচনা কৰাৰ আগেয়ে যিবোৰ জিলাৰ লগত ভাষাৰ মিল দেখুৱাই উক্ত মহকুমাবাসীয়ে জ্ঞাপিতৰ ১ম স্বতঃসিদ্ধমতে বঙলা ভাষাভাষী বুলি দাবী কৰিব খোজে তাৰে আলোচনা কৰা য'ক। কাৰণ এইবোৰ জিলা পুৰণি কামৰূপৰ অংশ হলেও বৰ্ত্তমানে বঙ্গদেশৰ ভিতৰত।

মৈমনসিঙৰ ভাষাকে প্ৰথমে ধৰা যাওক। যিবোৰ মুছলমান বৰ্ত্তমানে সেই জিলাৰ পৰা অসমলৈ আহি বসতি কৰিছে তেওঁলোকৰ কথা কেইজন পশ্চিম বঙ্গৰ মানুহে বুজে? কোৱা বাহুল্য ভাগীৰথী বা দামোদৰকুলীয়া ভাষাই বৰ্ত্তমান বঙলা ভাষা। তাৰ বাহিৰেও ই আজিকালি উৰিয়া ভাষাৰ ওচৰাউচবি হৈ গৈছে। ঘোৱাৰ গাৰী এখন দেখি মৈমনসিঙীয়া এজনে সুধিছিল—"আহ মিয়া বহ, হেইটা কিবে বাই,—গুৱাৰ পিছে হিন্দুক বৈয়া টান্‌ছাল্।"—(ছS)। এয়ে হ'ল মৈমনসিঙীয়াৰ ভাষাৰ নমুনা আৰু ইয়াৰ অর্থ—'আহ মিয়া বহ', নাইবা 'আহা মিয়া বহা, সোটো কিও ভাই ঘোৱাৰ পিছত হিন্দুক (সিন্দুক) লৈ টানিছিল।'

বংপুৰ কোঁচবেহাৰৰ সীমাৰ ওচৰাউচৰি; এতেকে ছুয়োঠাইৰে প্ৰচলিত কেইটামান গীত উল্লেখ কৰা হ'ল। জলপাইগুৰিৰ ভাষাত পূৰ্ণিয়া জিলা আৰু নেপালী ভাষাৰ অলপ ছাপ আছে।

গীত—(বংপুৰ, কোচবিহাৰ)

১।"···আঘোৰোয়াল্ হয়া,
খাবু তুই!
বৰ্ম্ম জাল দিয়া,
তুলিম মুই॥
২। বৰ্ম্ম জাল দিয়া,
তুলবু তুই।
শাম শুম হয়া,
থাকিম মুই॥
৩। শাম শুম হয়া,
থাকবু তুই।
চুণ পুৰিয়া,
খাম মুই॥
৪। চুণ পুৰিয়া,
খাবু তুই।
আদা খায়া
গুছাম মুই॥···"

এই গীতটো সকতে শুনা। বাকী অংশ মনত নাই। তলত দিয়া অসমীয়া গীতটোৰ ফালে চ'ক—

তোৰে বৰ বিলতে পৰিম ঐ
গোবিন্দায় ৰাম।
১। মোৰ বিলতে পৰ তই পাৰ্ব্বতী,
জুলুকি বাইয়ে ধৰিম ঐ,
গোবিন্দায় ৰাম।
২। জুলুকি বাইয়ে ধৰ তই পগলা,
শামুকে মেয়ালি হম ঐ,
গোবিন্দায় ৰাম।
৩। শামুকে মেয়ালি হব তই পাৰ্ব্বতী,
তোকে চুণে পুৰি খাম ঐ,
গোবিন্দায় ৰাম।···"

এই অসমীয়া গীতটো সুবমা উপত্যকাৰ অসমীয়া বস্তিৰ ভিতৰৰ মানুহে গোৱা। ইয়াত সেই অঞ্চলৰ ভাষাৰ সামান্য প্ৰভাব পৰা অসম্ভৱ নহয়। সম্পূৰ্ণ গীতটো চাব খুজিলে ১ম বছৰৰ ৮ম সংখ্যা 'আৱাহনত' পাব। গীতটোত সামান্য কেইটামান পাৰ্থক্য দেখিবলৈ পোৱা যায়। প্ৰথমটোত আঘোৰোয়াল্ (ডাঙৰ ৰৱালী মাছ) কিন্তু পিছৰটোত জুলুকি (জলৌকা, জোক) শব্দ ব্যৱহৃত হৈছে। তাৰ বাহিৰেও অসমীয়া নামটোত পগলা, গোবিন্দায় ৰাম আৰু পাৰ্ব্বতী এই তিনটা কথাৰ যোগ আছে। আৰু এটা গীতৰ ফালে চাওক।—

"উন্‌কি দিমু ঝুনকি দিমু,
যেটাই যেথান সাজে।
কাণ চায়া দিমু সোণা,
তাইতে ভাল সাজে।

মোৰ মন ভুলালু,
ও মোৰ চিত ভুলালু
কি দিয়াবে·····"

আন এটা নাম তলত দিয়া হল। তাক গোৱালপাৰা জিলাৰ শালকোছা, হাকামা, বিলাসীপাৰা, লক্ষীপুৰ, প্ৰভৃতি ঠাইৰ ব্ৰাহ্মণী বা আন নামতী বিলাকে এতিয়াও শীতলাৰ নামত গায়। যেনে—

"সিপাৰে কায় যায়বে নাওঁৰীয়া লোক,
শীতলী আইৰ নামত যাং পাৰ কৰাও মোক।"

এই নামটো ঘুগ্লা পৰগণা, কোচবিহাৰ, বংপুৰ, জলপাইগুৰিত চলতি আছে নে নাই কব নোৱাৰো। কিন্তু থাকিলে 'সি পাৰে'ৰ ঠাইত 'উপাৰে' আৰু 'যাং'অৰ ঠাইত 'গাওঁ' হলহেতেন। গোৱালপাৰাৰো উল্লিখিত ঠাই বিলাকত 'সিপাৰ' আৰু 'উপাৰ' এই দুৱকমৰ চলতি আছে। ইয়াৰ লগত গুৱাহাটীত গোৱা নাম মিলাই চাওক।

"সিপাৰে কুনি যায় ঐ নাওঁৰীয়া লোক,
শীতলী আইৰ নামক যাওঁ পাৰ কৰা মোক।"

প্ৰায় দুয়ো একে। তথাপি যদি কথা উঠে, নাম বা গীত বহুত সময়ত নকল কৰিব গৈ একে হৈ পৰে, সেই কথা সচা হলেও প্ৰচলিত গীত বা নামৰ লগত কথ্য ভাষাৰ কিমান মিল আছে, তাক বিজাই চালেই প্ৰকৃত স্বৰূপ ওলাই পৰিব।

আন এটা বিষয় চাব লগীয়া যে কামৰূপ তন্ত্ৰ-মন্ত্ৰৰ নিমিত্তে বিখ্যাত। যি ঠাইৰ মন্ত্ৰসাহিত্যই সাহিত্যৰ এটা অংশৰূপে আত্মপ্ৰকাশ কৰি আছে, সেই বিষয়ে প্ৰদেশৰ আন আন ঠাইৰ লগত গোৱালপাৰাও সমান অংশে যশৰ ভাগী। M. Martinৰ ৰিপোৰ্টত এইদৰে লিখিছে—"Jadu or witchcraft is supposed to be pretty commonly understood by the old women of this district, who are, however, chiefly employed by the young to secure the affections of their lovers. Goalpara is considered as the chief place for this science.···" যাৰ ব্যৱহাৰ বা অপপ্ৰয়োগ আমালোকৰ আলোচনাৰ বিষয় নহয়। কিন্তু এই জিলাৰ মন্ত্ৰৰ ভাষাবিলাক আলোচনা কৰিলে দেখা যায় যে ই উজনিৰ ফালৰ মন্ত্ৰৰ ভাষাৰ লগত বৰ বেছি পৃথক নহয়। আৰু আচৰিত হবলগীয়া কথা এইটোৱে যে, বিহাৰ, যুক্তপ্ৰদেশ এনেকি সুদূৰ পঞ্জাব প্ৰদেশৰো তেল-জৰা, পানী-জৰা আদি মন্ত্ৰ এই ভাষাতে চলে। ভাটীৰ ফালৰ পৰা যিসকল বাজীকৰ আহে সিহঁতৰ মানুহক দেখুৱা মিছা মন্ত্ৰবিলাক শুনিলেই আমাৰ কথাৰ যথার্থতা উপলব্ধি হব। কোচ-বিহাৰৰ ভাষাই বোলে কামৰূপ আৰু বঙলা ভাষাৰ আদি জননী; আকৌ সেই ঠাইৰ ভাষাকে ৰাজবংশী ভাষা বুলি Linguistic Survey of Indiaত কোৱা হৈছে। ই আকৌ 'ইন্দো-য়ুৰোপীয়ান' ভাষাৰ মাজৰ অর্থাৎ আৰ্য্যভাষা। এতিয়াও বঙলা কবিতাত এই ভাষাৰ ছাপ সুস্পষ্ট দেখিবলৈ পোৱা যায়। কিন্তু ইয়াক বঙলা ভাষা বুলি কোনেও কোৱা নাই। আনফালে এই ভাষাৰ ভেটিৰ ওপৰতে অসমীয়াই এতিয়াও বিচিত্ৰ সাহিত্যসৌধ গঢ়ি তুলিব লাগিছে।

ৰাজবংশী আৰু কোচৰ ভিতৰত পার্থক্যৰ আলোচনাৰ ঠাই ই নহয়। কিন্তু কোচবিহাৰৰ ৰজাৰে এটা ঠেঙুলিয়ে দৰঙৰ মঙ্গলদৈত, কামৰূপৰ বেলতলাত, গোৱালপাৰাৰ বিজনীত, জলপাইগুৰিৰ বৈকুণ্ঠপুৰত আৰু বংপুৰৰব পাঙ্গাত আজিলৈকে সেই বংশৰ নাম ৰাখি আছে। কোচ-কামৰূপৰ অংশবিশেষ বঙলাৰ লগত থাকিও 'কোচবিহাৰ' নাম হে পাইছে। আৰু উল্লিখিত এই জিলা কেইখন বঙলা সাহিত্যৰ সঁচত আজি প্ৰায় দুশ বছৰ চেপি ধৰিও আৰু কলিকতাৰ নিচিনা ডাঙৰ চহৰখনৰ লগত সদ্ধ্ব ৰাখিবৰ আগ্ৰহ থকাতো, কেৱল বঙালী ভাবাপন্ন তথাকথিত শিক্ষিতৰ বাহিৰে সাধাৰণৰ অৱস্থা যি আৰু সেয়ে আছে। এইবিলাক জিলা-বাসীৰ লগত ধুবুৰী মহকুমাবাসীয়ে বিশেষ বিবেচনা কৰা উচিত যে যি জাতিৰ বিশেষত্ব নাই তাৰ অস্তিত্বও থাকিব নোৱাৰে। আৰু তেওঁলোকে গমি চোৱা উচিত যে বৰ্ত্তমানৰ উৰিয়া ভাষাৰ ফালে ঢাল খোৱা বঙালী ভাষাৰ পৰা তেওঁলোক কিমান

দূৰত আতৰি আছে! তেওঁলোকৰ শত চেষ্টাতো সেই ভাষাক কোনোদিনে নিজৰ কৰি লব নোৱাৰে। বৰং যি কামৰূপী ভাষা এদিন কোচবেহাৰৰ মহাৰজাৰ সাহায্যত আত্মপ্ৰকাশ কৰিছিল সেই ভাষা নিজৰ কৰি লোৱা অতি সহজ আৰু সম্ভৱ। এতিয়া দৰকাৰ, কোচবেহাৰ আদি উল্লিখিত জিলাবাসী বিলাকক নিজৰ স্বৰূপ বুজাই দিয়া। ইয়াত অলপ সময় যাব পাৰে, কিন্তু এদিন নহয় এদিন বুজিবলৈ বাধ্য হব। অৱশ্যে বৰ্ত্তমান অসমীয়া ভাষাৰ গতি যিমান উজানলৈ আহি পৰিছে তাতকৈ কিছু নামিব লাগিব। এই কথাষাৰ যেন পঢ়াশালিৰ কিতাপ নিৰ্ব্বাচন কমিটিৰ সভ্যসকলে অলপ গমি চায়।

অৱশেষত মৈমনসিঙৰ পৰা অহা সকলৰ প্ৰতি আমি কব খোজো যে তেওঁলোক এতিয়া বঙালী নহয়, অসমীয়া হে। এই প্ৰদেশৰ সুখ-দুখ, উন্নতি-অবনতি আদি সকলো বিষয়তে তেওঁলোকো সমান অংশৰ ভাগী। এনে অৱস্থাত এই প্ৰদেশৰ লগত সকলো ৰকমে সম্পৰ্ক ৰাখিবলৈ বাধ্য। গতিকে ভাবৰ আদান প্ৰদানৰ নিমিত্তে তেওঁলোকে প্ৰাদেশিক ভাষা শিকিব লাগিব। আৰু শিকিছেও। বৰ্ত্তমানে বঙলা ভাষাৰ লগত তেওঁলোকৰ ভাষাৰ মিল যে কিমান তাক নকলেও চলে। তাৰ বাহিৰেও সি সেই ভাষাকেন্দ্ৰৰ পৰা বহুদূৰত। এই নিমিত্তে আজি আমি তেওঁলোককো সাদৰে মাতিছো, তেওঁলোকো আহি সাহিত্য আৰু জাতীয় উন্নতিৰ সহায় হক। আৰবী তেওঁলোকৰ ধৰ্ম্মভাষা। উৰ্দ্দু এটা সমগ্ৰ ভাৰতৰ আৰু বিশেষকৈ মুছলমান সম্প্ৰদায়ৰ ভাষা। সেই বাবে এইবিলাকৰ আলোচনা যৎসামান্য কৰিবই লাগিব। কিন্তু নিত্য-নৈমিত্তিক কামকাজৰ বাবে এই প্ৰদেশৰ ভাষা এৰি আন ভাষা শিকাৰ কোনো সাৰ্থকতা নাই; বৰং তাৰ পৰা বহুত পৰিমাণে ক্ষতিহে আছে। অৱশ্যে নানা দেশ-বিদেশৰ সাহিত্যচৰ্চ্চা হিচাপে যিসকলে শিকিব খোজে তেওঁলোকৰ কথা বেলেগ। এই কথা অকল মৈমনসিঙৰ পৰা অহা সকললৈকে নহয়—নেপালী, মাদ্ৰাজী, সাওতাল প্ৰভৃতি সম্বন্ধেও এই একে কথা। এই প্ৰদেশত অসমীয়া সাহিত্যৰ ভিতৰেদি আমি সকলোৱে এক হৈ মিলিব লাগিব।

মোৰ কবলগীয়া যি আছিল শেষ হল। এইবিলাক কথাত নতুনত্ব একো নাই। উপযুক্ত মানুহ সভাপতি নিৰ্ব্বাচিত হোৱা হলে নানা নতুন আৰু সাৰুৱা কথা শুনাই আপোনালোকক আনন্দ দিব পাৰিলেহেঁতেন। বহুতে কিজানি মোৰ কোনো কথাত বেয়াই পাইছে। কাৰণ সকলো কথা সকলোৰে পক্ষে কেতিয়াও ভাল লগা সম্ভৱ নহয়। মাত্ৰ নিজে যিটো ভাল বুলি বিবেচনা কৰিছোঁ তাকে আপোনালোকৰ আগত দাঙ্গি ধৰিছোঁ। আপোনাসকলক যথেষ্ট আমনি দিয়া হ'ল। এতিয়া সামৰণিত ইয়াকে মাথোন কব খোজোঁ যে এতিয়া আৰু কথাৰ দিন নাই। এতিয়া এই ঘোৰতৰ প্ৰতিযোগিতাৰ দিনত অকল কাম হে লাগে। মানুহৰ ভাব যেনে অনন্ত সাহিত্যৰ শাখাও তেনে অনন্ত। যি সমাজে তাৰ যিখিনি আয়ত্ত কৰি লব পাৰিছে তাৰ সাহিত্য তিমানে পূৰ্ণতাৰ ফালে আগবাঢ়িছে। জাতিৰ গতি ইচ্ছাতে হ'ক নাইবা অনিচ্ছাতে হ'ক আগবাঢ়িবই লাগিব; গতিকে আমিও আগ বাঢ়িবই লাগিব। আৰু মনত ৰাখিব লাগিব—এই আগ বঢ়াৰ ভিতৰতো যিজনে বা সমাজে প্ৰতিযোগিতাত জয়ী হব পাৰিব, জীৱনযুদ্ধত কেৱল তেওঁৰে জয়ৰ আশা। সাহিত্য জ্ঞানৰ ভঁৰাল আৰু জ্ঞান বা বুদ্ধিয়েই প্ৰধান বল। এতেকে ৰাইজসকল আহক, আজি বলী-নিৰ্ব্বল, জ্ঞানী-অজ্ঞান, সকলোৱে এই মহাযজ্ঞত যোগদান কৰি জাতীয় সাহিত্যৰ গতি আগ বঢ়াই দিয়কহি।

মোৰ সোৱঁৰণী

(৩য় বছৰৰ ৩য় সংখ্যা "আৱাহনত" ওলোৱাৰ পাচৰপৰা)

—ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা

কলিকতা-যাত্ৰা।—এণ্ট্ৰেঞ্চ মহলাৰ ফলাফল ওলাওঁতে মই আমাৰ উত্তৰ লক্ষীম্‌পুৰৰ ঘাইঘৰত। তাৰ পাচত, তাতে আৰু এপৰমান থাকি, তাৰপৰা মোৰ পালিঘৰ (৺বাইদেও-ভিনীহিদেৱৰ ঘৰ) থকা মোৰ ছাত্ৰজীৱনৰ ক্ৰীড়াভূমি আৰু কাৰ্য্যক্ষেত্ৰ শিৱসাগৰলৈ আহিলোঁ। তাত এসপ্তাহমান মনৰ উলাহেৰে কটাই, যথাসময়ত মোৰ শিৱসাগৰীয়া পুৰণি সমনীয়া আৰু আগবয়সীয়া ছাত্ৰবন্ধু জনদিয়েকেৰে লগ বান্ধি হৰিষ মনেৰে এদিন শুভক্ষণত কলিকতালৈ আনন্দ-যাত্ৰা কৰিলো। সেই লগৰীয়া কেইজনৰ মাজত, মোৰ অগ্ৰজপ্ৰতিম শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা, সমনীয়া সোদৰসদৃশ ৺বসন্তকুমাৰ গোস্বামী, অতি চেনেহৰ অনুজযেন ৺দ্বাৰকেশ্বৰ শৰ্ম্মা এই তিনিজন মোৰ নিচেই আপোন বন্ধু। সিবিলাক তিনিৰেসৈতে আমি যেন চাৰিটি ভাই-ককাই একেঘৰৰ পৰা একেটা উদ্দেশ্যে প্ৰবাসলৈ ওলাই আহিছিলোঁহঁক, এনে লাগিছিল। সিবিলাক তিনিজন ৰাতিয়েই গৰু-গাড়ীৰে সৈতে আগধৰি ওলাই গল; মই সেই ৰাতি পুৱাওঁতেই উষাযাত্ৰা কৰি হাতীৰেসৈতে সিবিলাকৰ পিচ ধৰিলোঁ। বাটত মোক অকলশৰীয়াকৈ পাই গোটাদিয়েক অপায়-অমঙ্গলে আমনি কৰিছিল।—শিৱসাগৰ টাউনৰপৰা ডিচাংমুখ ঘাটলৈ বুলি তিনিভাগৰ দুভাগ বাট আহিছোঁ, এনেতে মোক এজাক মৌচেপা বৰষুণে পালে; তাৰ পাচত, ঘাটলৈ আৰু চাৰিভাগৰ এভাগমান বাট থকালৈকে আগবাঢ়িছো ইতিক্ষণত এটা আলিছিগা ডুবি পাৰ হওঁতে থাউনি নাপাই হাতী বুৰ যোৱাত পেৰা-পেটাৰি, শয্যা-পাটী, গাৰ কাপোৰ-কানি সমুদায় তিতি জেপ জপীয়া হল; মই তিতি-বুৰি জুৰুলি-জুপুৰি হলোঁ! সেই হেতুকে মোৰ মনত পোন্‌প্ৰথম যাত্ৰাৰ আনন্দ-উৎসাহ স্বভাৱতে মাৰ যাবলৈ ধৰা যেন দেখি ঘাটত লগৰী হোৱা এজন বুঢ়া যাত্ৰীয়ে এই বুলি বুজনি দি মোৰ মন ভাল লগাবলৈ প্ৰয়াস পাইছিল,—"বপাৰ যাত্ৰা শুভ; কিয়নো "বতৰৰ শুভচিন্ উলিয়াই তিয়ালে, মিতিৰৰ সজ চিন্ আগত থৈ খালে"। এই কথা-ফাঁকিৰ তাৎপৰ্য্য মোৰ উপস্থিত দুৰ্ঘটনাৰ ভাবী ফলাফলত খটাই চাবলৈ অলপপৰ টলকা মাৰি গুণিছোঁ, ইতিক্ষণতে সিফালে উকি মাৰি জাহাজ আহি ঘাট চাপিলেহি; আমিও তাৰ পাচত, সমনীয়া আৰু সৰু বন্ধু দুজনেৰেসৈতে লাগি-ভাগি মোৰ তিতা কাপোৰ-কানিবোৰ শুকাবলৈ জাহাজৰ ডাঁৰ-ডোলত আৰি দি আমি তিনিও এখন বিছনা পাতি বহিলোঁ; আৰু ওচৰতে মিঃ বেজবৰুৱায়ো নিজৰ গাথৰি মেলি বহিল। বহি, চাৰিও মুখ-চোৱাচুই কৰি ক্ষন্তেক জিৰাইছোঁ, সেই ছেগতে প্ৰথম শ্ৰেণীৰপৰা আমাৰ ফাললৈ ওলাই অহা পকাথেকেৰা যেন ৰঙা বুঢ়া অসমীয়া ভালমানুহ এগৰাকী দেখা পালোঁহঁক। দেখি, তেখেতৰ বিষয়ে আমাৰ মাজত কোৱা-মেলা কৰিবলৈ ধৰিলোঁ। সেই কোৱা-মেলাৰপৰা জানিব পৰা গল যে, তেখেতেই স্বনামখ্যাত অসমীয়া সদাগৰ ৺হৰিবিলাস আগৰৱালা। ৺আগৰৱালা ডাঙ্গৰীয়াক সাক্ষাৎ পোৱা মোৰ সেয়ে প্ৰথম। তেখেতে আমাৰ কাষ চাপি আহি চিনিয়াৰ ছাত্ৰ মিঃ বেজবৰুৱাৰেসৈতে (তেওঁ সেই বছৰতে বি, এ, পাচ কৰিছিল) থিয়ৈ-থিয়ৈ কথা-বাৰ্ত্তা পাতিছিলহি, আৰু মাজে-মাজে আমিও তিনিলৈ একো-একোবাৰ কেৰাহিকৈ চাইছিল। ময়ো সেই ছেগতে তেখেতৰ নামৰ লগত মানুহজন ৰিজাই চাই মোহ গলোঁ। বেজবৰুৱাৰে সৈতে কথাবাৰ্ত্তা হৈ থাকোতে তেখেতে মাজে-মাজে মোৰ ওপৰত কৌতূহল দৃষ্টি পেলোৱা দেখা গৈছিল, কাৰণ কি বুজিব নোৱাৰিলোঁ। তাৰ পাচত, তেখেতে নিজৰ ঠাইলৈ

উলটি যাবৰ বেলিকা আমি জুনিয়াৰ তিনিজনকো একো-আষাৰ মাত লগাই যাবলৈ বুলি আমাৰ আগত থিয় দিলেহি। দু-আষাৰমান কথা তিনিওৰো প্ৰতি উমৈহতীয়াকৈ কৈ এঁতাই, তেখেতে কৌতূহলভাৱে মোৰ প্ৰতি কটাক্ষ কৰি এই বুলি সুধিলে, "এওঁৱেই নে নগাপৰ্ব্বতীয়া ছাত্ৰ ?" মই নম্ৰভাৱে সমিচাৰ দিলোঁ, "হয়"। তাৰ পাচত, মোৰ মেলি দিয়া কাপোৰ-কানি পোছাকাদিলৈ লক্ষ্য কৰি মিঠামাতেৰে আকৌ সুধিলে, "এইবোৰ নো কাৰ, কেনেকৈ তিতিবলৈ পালে ?" তদুত্তৰত মোৰপৰা তাৰ চমু গুৰিঘটনাৰ কথা শুনি, তেখেতে সহানুভূতিৰ হাঁহি এটা মাৰি ধীৰে ধীৰে আঁতৰি যাবলৈ ধৰিলে ; যাওঁতে আপোনা-আপুনি এই বুলি গুণগুণাই যোৱা শুনিলোঁ, "চাহাবানি সাজ-পাৰলৈ চাই লৰাটি অসমৰ জুহালতে পৈণত থৈ অহা যেন লাগে, কলিকতীয়া কমাৰশালৰ সঁজুলী সম্বহতে নিকিনিলেগৈও চলিব।" মোৰ মনত ইও আন এটা কথাৰ খু-দুৱনি লাগিল। আগৰটো কথাৰ তাৎপৰ্য্যৰ ভাবনাৰ লগতে ইয়াৰ ভাবনায়ো সঙ্গতি পাতিলে।

দুৰাতি-তিনিদিনৰ দীঘলীয়া আৰু আমনি-লগা জাহাজযাত্ৰাৰ পাচত, আবেলি ৪ বজাত গোৱালণ্ড ঘাটত নামিলোঁগৈহঁক। তাৰপৰা আমাক বামেদি কলিকতালৈ নিবলৈ বুলি ৰেলগাড়ী ৰৈ আছিল। মই লৰালৰিকৈ ৰেলগাড়ীৰ কাষ চাপিলোঁগৈ। কিন্তু, মোৰ লগৰীয়া বন্ধু দুজনে দেখোন আঁতৰি গৈ এটা কুঁজীঘৰৰ বহল পিৰালিত পাৰি থোৱা কুশাসনত বহি লৈছেগৈ। কথাটো নো কি তং কৰিব নোৱাৰি ময়ো চাঁত্‌কৰে গৈ সিবিলাকৰ আগত থিয় দিলোঁগৈ। ইতিমধ্যত, ভিতৰৰপৰা এটা মানুহ ওলাই আহি পিৰালিত লালি পাতি বহি থকাসকলৰ আগে আগে একোখন পিতলৰ তৰাহি পাতি থৈ গলহি। মোৰ লগৰী দ্বাৰকেশ্বৰ বাপুটিৰ সঙ্কেতমতে ময়ো এখন পাৰি থোৱা আসনত বহি গলো। ভাবিছিলো, কিবা জলপানৰ দিহা লাগিছে হব পায়। কিন্তু, পিচমুহূৰ্ত্ততে দেখো যে সি নহয়, চাউল সিজোৱাহে। তাৰ পাচত, তৰাহিৰ কোষে-কোষে ঘোলা হাঁহকণীৰ বিজলযেন ডাইলৰ পানী একো-কোৰোকা, আৰু তাৰ লগতে একোলাক কিবা পিটিকা আন এজন বিলনীয়াই বিলাই দি গলহি। ভকত অকল আমাৰ কেইজনেই নহয়, আৰু কেইবাজনো অচিনাকী যাত্ৰীয়ে শাৰী পুৰাইছিল। অলপৰ পাচতে মোৰ আগতো এখন তৰাহি পৰিলহি। দেখিলো, তৰাহিৰ কানত ডাইলৰ কৰাল আৰু তাৰ পিঠিয়ে-বুকুৱে চুৱাপানী বিৰিঙ্গিব লাগিছে ! গতি-গোত্ৰ চাই ঘোলা হাঁহকণীয়া ডাইল-পানী আহি নৌ পৰোতেই মই লাহেকৈ উঠি কাষৰিকাটি আকৌ ৰেলগাড়ীৰ কাষত থিয় দি ৰলোগৈ। অলপৰ পাচত, মোৰ বন্ধু দুজনে আহি হাঁহি হাঁহি মোক সুধিলেহি, "তুমিচোন ভাত নাখালা ?—কিয় ?" মই অলপ বিক্‌চিনা ভাব দেখুৱাই কলো, "এৰা, নহল খাবলৈ।" সিবিলাক দুজনে খলখলাই হাঁহি মোৰ প্ৰতি এইদৰে কবলৈ ধৰিলে, "ইয়াকে বোলে হোটেল। আৰু, এইয়া নঙলামুখ মাথোন। ইয়াতে ইমান! কলিকতাৰ ভিতৰ সোমালেগৈ কৰিবা কি ?" মোক এইবাৰ এইটো তৃতীয় সমস্যাই পালে। আগৰ দুটা তাৎপৰ্য্যৰ ভাবনাৰ লগত ইয়ো এটা যোগ হৈ মোক তিনিফালৰপৰা তিনিবিধীয়া ভাবনাই হেচা-ঠেলাকৈ আমনি কৰিবলৈ ধৰিলে। তাৰ পাচত সন্ধিয়া সাতমান বজাত ৰেলগাড়ীয়ে আমাক কোঁচত লৈ বিম্বাশবদে কলিকতাৰমুখে চুটি মেলিলে। ৰাতিৰে ৰাতিটো আৰু পিচদিনা পুৱা ১০ বজালৈকে লৰি-ভাগৰি অন্তত আমাক শিয়ালদহ ষ্টেচনত নমাই দি ৰেলে তাতে জিৰণি ললে। আমি নামিয়েই দেখোঁ যে শাৰী শাৰী ঘোৰাগাড়ী ;—ইয়ে মাতে, সিয়ে মাতে, নানা তৰহৰ সুবিধা দেখুৱাই। পিচে, আমি মাথোন এজোৰা, জুৰিম কেইখন গাড়ী ! যি হওক, গৈ-মাৰি-শেহান্তৰত তাৰে এখনত আমাৰ মাল-বস্তুৰ গাঁথৰী বোজা দি, আমি কেইওজন উঠি গদীত বহা মাত্ৰকে ঘৰ্‌ঘৰ্‌কৈ গাড়ী চলিবলৈ ধৰিলে। গছ-গছনিশূন্য লঠামুৰা পকীঘৰবোৰৰ মাজে-মাজে পকীবাট ইটো এৰি সিটো ধৰি গাড়ী চলি গৈ আছে ; মাজে-সময়ে মাথোন কোনো-কোনোটো ঘৰৰ আগত ক্ষন্তেক ৰখাই লৈ বাপুটিয়ে অসমীয়া 'মেচ'ৰ সন্ধান লয়। সেইদৰেই ভালেমান বাট ঘূৰা-পকা কৰা হল,

কিন্তু ক'তো অসমীয়া ছাত্ৰৰ বহা পোৱা নগল ; পিচলৈ বাপুটিৰ মুখত বিৰক্তিৰ ভাব বিৰিঙ্গিবলৈ ধৰিলে। মই হলে, সঁচাকথা কবলৈ গলে, পেটে পেটে বৰ বিষম পোৱা নাছিলোঁ। সেইদৰে গাড়ী ঘেলাই বিচক্ষণীয়া পকীঘৰবোৰ চাই ফুৰিবলৈ পাই। সদৌশেহত, মিৰ্জ্জাপুৰ ষ্ট্ৰীটৰ ৬১ নং দুমহলীয়া পকীঘৰৰ সমুখত গাড়ী ৰলহি। বাপুটিয়ে ওপৰলৈ চাই "অ, আমাৰ কোনোবা আছাঁ নে" বুলি কেইবাৰমান ৰিঙ্গিয়াবলৈ ধৰাত, মোৰ মৰমৰ অনুজপ্ৰতিম বন্ধু শ্ৰীযুত বেণুধৰ ৰাজখোৱাদেৱে কেইজনমান অসমীয়া ছাত্ৰৰেসৈতে লগলাগি নামি আহি আমাক আগবঢ়াই ওপৰলৈ তুলি লৈ গলহি।

কলেজীয়া ছাত্ৰাধ্যা।—কলেজ দীঘলীয়া বন্ধৰ পাচত পুনঃ খুলিবলৈ এসপ্তাহমান থাকোতেই আমি কলিকতা পাওঁগৈ। সেই সপ্তাহৰ ভিতৰতে গৈ পাবগৈ লগীয়া বাকী আটাইবিলাক অসমীয়া ছাত্ৰ কলিকতা পালেগৈ। ইতিমধ্যত আগেয়ে গৈ থিত্‌ লোৱা অসমীয়া ছাত্ৰাবাস বা 'মেচ' কেইটাত যি য'ত সুচল পালে সি তাত সেইমতে থিতাপিত হল। তাৰ পাচত, আহিল কলেজৰ কথা। কাৰ মানত কোন্‌টো কলেজ ভাল, কোনে কোন্‌টো কলেজত নাম লগাব ইত্যাদি বিষয়ে মেচে-মেচে কোৱা-মেলা চলিছে ; মই তাৰ উৱাদিহ লৈ ফুৰিছোঁ, কিন্তু কাকো কোৱা নাই মই কোন্‌টো কলেজত নাম লগাম। মই কোৱা নাই মোৰ সুচলকৈ একো এটা স্থিৰ কৰিব পৰা নাই দেখি। কিয়নো, আটাইবোৰ কলেজত মোৰ কাৰণে লাগতিয়াল সুবিধা পাবলৈ নাই। কাৰণ, মই সংস্কৃত নপঢ়া ছাত্ৰ। এণ্ট্ৰেন্স পৰীক্ষাত মই বঙ্গলা দুৱলীয়া ভাষাত হে উত্তীৰ্ণ হৈছিলো। তাৰ অপৰিহাৰ্য্য কাৰণৰ সোৱঁৰণী ইয়াৰ আগেয়েই কৈ থোৱা আছে। অৰ্থাৎ, বঙ্গলা ছাত্ৰবৃত্তি অধ্যাপনা পিহোঁতেই মোৰ লৰাকাল ভালেখিনি ক্ষয় গল ; গতিকে হাইস্কুলত ভৰ্ত্তি হওঁতে, লাফ্‌ মাৰি উঠাদি উঠি মাজৰ ওপৰ-শ্ৰেণী এটাত (৩য় শ্ৰেণী) নাম লগাই লৈ বহিছিলো। ভৰ্ত্তি হৈ মই গণিত, ভূগোল, বুৰঞ্জী এই কেইটাত বাজে আনবোৰ বিষয়ত, বিশেষকৈ ইংৰাজী সাহিত্য শিক্ষাত দুগুণ তিনিগুণকৈ পৰিশ্ৰম কৰিব লগীয়া হয়। তেতিয়া বঙ্গলা সাহিত্য এণ্ট্ৰেন্সলৈকেহে দুৱলীয়া ভাষাৰূপে চলিছিল। সেই সুবিধা পাইহে হাইস্কুলত মই দুৱলীয়া সাহিত্য সংস্কৃত নলৈ বঙ্গলা লৈ মোৰ ভবিষ্য-জীৱনলৈ এটা বৰ ডাঙৰ ভুল কৰিলো, যি ভুলে মোৰ ক্ষুদ্ৰজীৱনত এটা পূৰাব নোৱাৰা ক্ষতি কৰিলে। আজিকোপতি সেই ক্ষতি পূৰাবলৈ মোৰ মনৰ প্ৰৱল ধাউতি গুচা নাই, জীৱনৰ এই সন্ধিয়াপৰত কি কৰি উঠিবগৈ পাৰোঁ কব নোৱাৰিছো এথোন। তথাপি দুৰাকাঙ্ক্ষীৰ আকাঙ্ক্ষা সংকল্পৰ আলিঙ্গনেৰে সাবটি ধৰি আছোঁ। মোৰ পৰম পূজনীয় গুৰুদেৱ ৺চন্দ্ৰমোহন গোস্বামী প্ৰভুৱে জীৱনসন্ধ্যাতহে সংস্কৃত শিকি তাত পৈণত হৈ উঠিছিল ; মই তেখেতৰ সেই "সুমলীয়া ছাত্ৰ"ই নো গুৰুদেৱৰ সেই আৰ্হি লোৱাত কৃতকাৰ্য্য হব নোৱাৰিম কিয় ? সেই একেছেগতে বুঢ়া শালিকাই মাত লবলৈ চিপ্‌ লোৱাৰ দৰে মই আৰু এটা সংকল্প পালিছো আহোম ভাষাটোও পাৰ্য্যমানে শিকিবলৈ; কাৰণ তাৰ নিমিত্তে গুৱাহাটীত "কামৰূপ অনুসন্ধান সমিতিৰ" উদ্যমৰ ফলত এটা সোণাময় ছেগে আপুনি ধৰা দিছে। সি যি হওক, হাইস্কুলত মই বঙ্গলা সাহিত্য লোৱাৰ ঘাই কাৰণ এই যে সেই কালৰ ং-ঃশূন্য সংস্কৃতীয়া বঙ্গলা সাহিত্য চৰ্চ্চাত মোৰ ভালকৈ অধিকাৰ বহিছিল। কিন্তু কলেজত সেই সুবিধাই গুণ দিব নোৱাৰিলে, কিয়নো বঙ্গলা সাহিত্যই তেতিয়া কলেজত ঠাই নাপাইছিল। গতিকে, কলেজত সংস্কৃত বা লাটীন এই দুই দুৱলীয়া সাহিত্যৰ এটা নললে আৰু মোৰ গত্যন্তৰ নাই। মই বিমোৰত পৰিলো। আমাৰ ছাত্ৰাবাসৰ চিনিয়াৰ ছাত্ৰবৰ্গৰ সৰহভাগৰপৰা পৰামৰ্শ পালো লাটীন লবলৈ, কিয়নো তাৰ পাঠ্য কিতাপবোৰ ইংৰাজী আখৰেৰে ছপোৱা আৰু ইংৰাজীত ব্যাখ্যা থকা। মই ভাবি চালো, তাৰপৰা মই দুটা উপকাৰ পাব পাৰিম, অৰ্থাৎ লাটীনৰ ব্যাখ্যা ইংৰাজীত পঢ়ি শিকোঁতে ইংৰাজী সাহিত্যত মোৰ ব্যুৎপত্তি বাঢ়িব। আৰু, সেয়ে হলে, অন্ততঃ আনৰপৰা সহায় নোপোৱাকৈও নিজে নিজে পাঠ্যপুথি আওৰাই লাটীন সাহিত্য শিক্ষাত আগুৱাব পৰা যাব। কিন্তু সংস্কৃত লবলৈ গলে তাৰ আখৰ-চিনাৰেপৰা

আৰম্ভ কৰিব লাগিব। গতিকে, অগত্যা ময়ো সেই সৰহীয়াৰ পৰামৰ্শকে মোৰ বুলিলো। তেতিয়া 'ৰিপন কলেজ'তো লাটীনৰ শ্ৰেণী এটা আছিল; কলেজটোও আমাৰ মেচৰপৰা নিচেই ওচৰ দেখি মই তাতে ভৰ্ত্তি হলোগৈ।

ৰিপন কলেজত দুমাহমান পঢ়িলোঁ। সেই পঢ়াত মই ইংৰাজী সাহিত্য আৰু ন্যায়শাস্ত্ৰ (Logic) শিক্ষাত বৰ সোৱাদ পাইছিলোঁ। কলেজৰ গৰাকী স্বয়ং সুৰেন্দ্ৰ বাবু (পাচত চাৰ সুৰেন্দ্ৰনাথ বানাৰ্জ্জি) ইংৰাজী সাহিত্যৰ আৰু প্ৰেমচাঁদ-ৰায়চাঁদ পাচ কৰা এগৰাকী বৰ বিদ্বান লোক ন্যায়শাস্ত্ৰৰ অধ্যাপকৰ মুখে মই শিক্ষা লাভ কৰিবলৈ পাইছিলোঁ। গণিতাদি আনবোৰ বিষয়ক শিক্ষাও ভালেই হৈছিল। সেই অনুসৰি সময়ত এফ-এ মহলাত উত্তীৰ্ণ হোৱাৰ বৰ আগন্তুক আছিল। পিচে, দুখৰ কথা, দুৱলীয়া সাহিত্য লাটীন শিক্ষাত মই আৰু মোৰ সহপাঠী আনবিলাক ছাত্ৰই তেতিয়ালৈকে অকণো ব্যুৎপত্তি লভিব নোৱাৰিলোহঁক। নোৱাৰি, আমি গোটেই শ্ৰেণীৰ ছাত্ৰ হতাশ হব লগীয়াত পৰিলো,—বিশেষকৈ মই। ফলিতাৰ্থত এই হলগৈ যে, আমি গোটেই শ্ৰেণীৰ ছাত্ৰই ৰিপন কলেজৰ পৰা ওলাই লাটীন শিক্ষাৰ ভাল ব্যৱস্থা থকা আন-আন কলেজত ভৰ্ত্তি হবলৈ বাধ্য হলোহঁক। সেই আপাহতে ময়ো ৰিপন কলেজৰপৰা ওলাই 'চেণ্টজেভিয়াৰ্চ' কলেজত ভৰ্ত্তি হলোগৈ। সেই কলেজৰ অধ্যাপক ('Fathers') সকলোটি ফৰাচী ভদ্ৰলোক। সিবিলাক বাস্তৱতে ভদ্ৰলোক। সেই সুসভ্য, সুশিক্ষিত অধ্যাপকসকলৰপৰা মই ভদ্ৰতা, নম্ৰতা, শিষ্টতাৰ যি নীতিশিক্ষা লাভ কৰিছিলো, সি আজিকোপতি মোক নিজৰ তেজ-মাংসৰ দৰে গুণ দিব লাগিছে। তেতিয়া সিবিলাকৰ মাজত অধ্যাপক লাফোঁ (Father Lofon) এজন সবাতকৈ অগ্ৰগণ্য বিজ্ঞানবিষয়ক অধ্যাপক আছিল। তেখেত ভাৰতৰ ভিতৰত এজন অসাধাৰণ প্ৰতিভাশালী স্বনামধন্য বিজ্ঞানবিদ্ পণ্ডিত আছিল। তেখেতে মোক বৰ ভাল পাইছিল আৰু মৰম কৰিছিল। হাইস্কুলৰ শিক্ষাগুৰুদেৱ ৺চন্দ্ৰমোহন গোস্বামী প্ৰভুৰ দৰেই ৺ফাডাৰ লাফোঁক মই কলেজৰ শিক্ষাগুৰু লাভ কৰিছিলো। তেখেতলৈ মোৰ অপাৰ ভক্তি। বাস্তৱতে তেখেতৰ মুখে যি বিজ্ঞান শিক্ষা লাভ কৰিছিলো, বিজ্ঞানৰ বীজ মোৰ মগজত সিমানেই হে, তাৰপৰাই হে আজিলৈকে যি অলপ বিজ্ঞানজ্ঞানৰ গৰাকী হব পাৰিছো। সিবোৰ যি হওক, মোৰ আচল উদ্দেশ্য এই কলেজতো সিদ্ধি হোৱাৰ আশা বলৱতী যেন দেখা নগল। কিয়নো, লাটীন শ্ৰেণীৰ আনবিলাক ছাত্ৰই প্ৰথম ছমাহতে পাঠ্যপুথি কেইখনৰ পঢ়া ইমানলৈ আগুৱালে যে, মোৰ পক্ষে মই দিনে দুগুণ-তিনিগুণকৈ পুৰণি বা পিচপেলাই অহা পাঠ আওৰায়ো সিবিলাকৰ লগ ধৰি তম্ভিব নোৱাৰাত পৰিলো। তাৰোপৰি সিবিলাক সকৰেপৰা সেই কলেজিয়েট স্কুলত লাটীন সাহিত্য নিয়াৰিকৈ শিকি অহা ছাত্ৰ। গতিকে, ছমাহমানৰ মূৰত মই আকৌ বিমোৰত পৰিলো। মোৰ হিতাশী অসমীয়া ছাত্ৰবন্ধুবৰ্গে ইমানকে মাথোন পৰামৰ্শ দিয়ে যে, তেতিয়াও, পাৰোঁ যদি, সংস্কৃত নতুনকৈ শিকি, আন এটা সংস্কৃত শিক্ষা দিয়া কলেজত মই চেষ্টা কৰি চাব পাৰোঁ। অগত্যা মই তাকে কৰিলো। 'চেণ্টজেভিয়াৰ্চ' কলেজৰপৰা অনিচ্ছাৰ ওপৰত নামখাৰিজ কৰাই লৈ, পৰীক্ষালৈ এবছৰমান থাকোতে, মই 'জেনেৰেল এচেম্‌ব্লি ইন্‌ষ্টিটিউচন' কলেজত নাম লগালোঁগৈ।

জেনেৰেল এচেম্‌ব্লি ইন্‌ষ্টিটিউচন কলেজত ভৰ্ত্তি হৈ মই একাণপতীয়া মনোযোগেৰে সংস্কৃত অধ্যয়নত লাগি গলোঁ। লাগিলো বুলিও পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ উদ্দেশ্যেহে, সংস্কৃতত স্থায়ী ব্যুৎপত্তি লাভ কৰিবলৈ নহয়। সেই অৰ্থে সংস্কৃত সাহিত্যৰ দেওনাগেৰী আখৰখিনি যিমান সোনকালে পাৰো শিকিবলৈ যত্ন কৰিলোঁ; আৰু সংস্কৃত 'কোৰ্চ' বা পাঠ্যপুথি কেইখনৰ ব্যাখ্যাদি ব্যাকৰণৰ সাহায্যে শিকিবলৈ বাট নাচাই তাৰ বঙ্গলা ভাঙ্গনী আওৰাবলৈ ধৰিলো। সেই ব্যৱস্থাত মোৰ সংস্কৃত শিক্ষা যথাৱতকৈ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ জোখাৰে বৰ বেয়া হোৱা নাছিল; কিয়নো সেইকালৰ সংস্কৃতীয়া বঙ্গলা সাহিত্যৰ ব্যাকৰণত আগৰেপৰা মোৰ ৰাপ বহিছিল আৰু তাত অলপ ভালদৰে ব্যুৎপত্তি লাভ কৰিছিলো। সেই বলতে জেনেৰেল

এচেম্‌ব্লিত পঢ়াৰ আগ ছমাহত বৰ আগ্ৰহেৰে আৰু বিশেষ পৰিশ্ৰমেৰে অধ্যাপনা কৰি এফ-এ মহলাৰ নিমিত্তে সংস্কৃত বিষয়ত যথাৱতকৈ সাজু হলোঁ। মাহচেৰেকৰ পাচত, টেষ্ট পৰীক্ষাও পাৰ হৈ গল। আনবোৰ বিষয়ত 'পাচ' হোৱাত মই সিমান লগা নাই, কিন্তু সংস্কৃততো যে পাচ-নম্বৰ ধৰিব পাৰিলো সেইবাবে হে মোৰ মনত বৰ উলাহ আৰু উৎসাহ লাগিল। কিন্তু, কি যে দুৰ্ব্বিপাক!—সেই উলাহৰ ধলত হতাশৰ ওভতনি মিলিল, এফ, এ, মহলা দিবলৈ আগবঢ়াবৰ বেলিকা ইউনিভাৰ্চিটীৰ কৰ্ত্তৃপক্ষে মোক নামঞ্জুৰ কৰিলে। কাৰণ, লাটীন আৰু সংস্কৃতৰ শিক্ষানুপাত (Percentage) একেটাকৈ পৰিগণিত নোহোৱাত দুৱলীয়া সাহিত্যত (Second Language) মোৰ লাগতিয়াল পৰিমাণ Percentage নৰল। এই সিদ্ধান্তৰ বাতৰি পাই মোৰ মূৰত স্বৰগ ভাগি পৰাৰ নিচিনা বোধ হল; মই থৰ্‌মৰ্‌ খাই অবাক হলোঁ! মই আকৌ বিমোৰৰ সাগৰৰ অথাই পানীত পৰি কক্‌বকাবলৈ ধৰিলো। কলেজৰ প্ৰিন্সিপাল মিঃ মৰিচন চাহাবে মোৰ হৈ বিস্তৰ লিখা-লিখি কৰিলে, কিন্তু মোৰ ভাগ্য আৰু প্ৰসন্ন নহল। মই হতাশৰ খুন্দাত মৰাপ্ৰায় হৈ কলেজৰপৰা ওলাই আহি, "হেডো"পাৰত, "গোলডিগি"ত, লালডিগিত, ইডেনগাৰ্ডেনত নীৰলে নিৰাশ মনেৰে ঘূৰি-ফুৰি মোৰ আন্ধাৰ ভবিষ্যৎ ভাবিবলৈ ধৰিলোঁ।

ওপৰত উনুকিয়াবলৈ নহল যে, মোৰ কলেজীয়া কালৰ দ্বিতীয় বছৰৰ আৰম্ভণৰেপৰা বন্ধুজনৰ বুধি অনুসৰি মই ওকালতি ক্লাচতো (Pleadership Law Class) ভৰ্ত্তি হৈ আছিলো। ন্যায়শাস্ত্ৰ (Logic) বিষয়ত মোৰ বেছি ৰাপ থকা আৰু তাত ব্যুৎপত্তি লাভ হোৱাৰ চিন্ পাই আমাৰ মেচৰ ৺সৰ্ব্বেশ্বৰ দাস (বৰপেটীয়া ছাত্ৰ) প্ৰমুখ্যে চতুৰ্থ বাৰ্ষিক আৰু তৃতীয় বাৰ্ষিকৰ ছাত্ৰবন্ধু জনদিয়েকে মোক পৰামৰ্শ দিলে যে, মই এফ, এ, পৰীক্ষাৰ অহা চেচনলৈ বাট চাই বহি থকাতকৈ আগন্তুক ওকালতি পৰীক্ষালৈ সষ্টম হোৱাটোৱেই বাঞ্ছনীয়। তেতিয়া বি,এল, ক্লাচৰ লগতে প্লিডাৰচিপ ক্লাচ এটাও লগ লগাই সপ্তাহত দুদিনকৈ ওকালতিৰ আইন-শিক্ষা (Law Lecture) দিয়াৰ নিয়ম চলিছিল: মই সেই অনুসৰি 'চিটী কলেজ'ৰ দুৱলীয়া আইন-শ্ৰেণীত নাম লগাই লৈছিলো। তেতিয়া আমাৰ আইন-শিক্ষক (Law Lecturer) আছিল মিঃ এচ, পি, সিংহ (পাচত লৰ্ড সিংহ) আৰু প্ৰখ্যাত বাগ্মী-পুৰুষ কালীচৰণ বানাৰ্জ্জী। পিচে, এফ, এ, পৰীক্ষালৈ মোৰ বিৰুদ্ধে অলঙ্ঘনীয় জপনা পৰা দেখি, কেইদিনমান নীৰলে গুণি-গাঁথি চাই শেহান্তৰত ওকালতি পৰীক্ষাৰ নিমিত্তে সষ্টম হবলৈকে সংকল্প কৰি আইন অধ্যয়নত একাণপতীয়া মনোযোগেৰে লাগি গলো। সংস্কৃতত অলপ বহল ব্যুৎপত্তি লাভৰ উদ্দেশ্যে তৃতীয় বছৰতে আকৌ এবাৰ এফ, এ, পৰীক্ষাৰ অৰ্থে যত্ন কৰি চাবৰ মন গৈছিল; পিচে দুই নাৱত দুভৰি দি দুকুল পাবলৈ চাওঁতে ফলিতাৰ্থত দুয়োকুল হেৰোৱাৰ ভয় দেখুৱাই মোৰ হিতাশী বান্ধৱবৰ্গে মোক অকল এবিধত মাথোন ধৰিবলৈ হিত-উপদেশ দিয়াত মই সম্প্ৰতিকৰ নিমিত্তে এফ, এ, পৰীক্ষাৰ ফালে জলাঞ্জলি দি; অকল ওকালতি পৰীক্ষাকে আগত লৈ তদৰ্থে সাজু হবলৈ ধৰিলো। আগৰ বছৰৰ এৰা-ধৰা যত্নৰ ফলত যি অলপ আইন-জ্ঞান লাভ হৈছিল, তাৰ লগতে পাচৰ বছৰৰ নেৰানেপেৰা যত্ন চেষ্টাৰ গুণত ওকালতি পৰীক্ষাৰ অৰ্থে মই বাৰুকৈয়ে প্ৰস্তুত হৈ উঠিলোঁ। যথাসময়ত ওকালতি পৰীক্ষাৰ মাচুল ৩০৲ ডেৰকুৰি টকা কলিকতাৰ আলিপুৰ কোৰ্টত শোধাই থৈ আহিলোগৈ। কিন্তু, বিধিৰ কি বিড়ম্বনা,—'দৰিদ্ৰ লঙ্কালৈ যায়, লঙ্কাত জুই লাগে'!—মোৰ দশাতো সেয়ে ফলিয়ালে। ওকালতি পৰীক্ষালৈ যোৱা বাটতো এখন ডেৰ নোৱাৰা অভাবনীয় জপনা পৰিল; মই হেনো তেতিয়ালৈকে ওকালতি পৰীক্ষাৰ নিমিত্তে লাগতিয়াল বয়স পোৱাগৈ নাই। এই পৰীক্ষালৈ তেতিয়া অন্যূন ২৩ বছৰৰ বয়সীয়া হব লাগে, কিন্তু এণ্ট্ৰেণ্ট চাৰ্টিফিকেট মতে মোৰ বয়স ওলাল কুৰি বছৰ। ঘৰৰপৰা অনতিপলমে মোৰ সোৱঁৰণী বা জন্মপত্ৰিকা নিয়াই চাওঁ যে, প্ৰকৃততে পূৰা নহলেও সেই বছৰতে মোৰ বয়স ২৩ বছৰত সোমাইছিল। তাকে দেখুৱাই কত কি যে কৰিলো, কিন্তু সকলো মিছা হল, সোৱঁৰণীৰ বয়স চাই কাম কৰিবলৈ কৰ্ত্তৃপক্ষ মান্তি নহল! এইবাৰ মোৰ মনত বৰ বিৰকতি লাগিল। কলিকতাত আৰু এদিনো তিষ্ঠিবলৈ মোৰ মন নোৰোৱা হল। কেইদিনমানৰ পাচত, ঘামকালিৰ বন্ধত ঘৰলৈ ওলটা ছাত্ৰবন্ধু জনদিয়েকেৰেলৈতে মই অনতিপলমে ঘৰমুৱা হলোঁ।—ক্ৰমশঃ

দেশ-বিদেশ

ভাৰতৰ সাঁচতীয়া সোণ

যোৱা চেপ্টেম্বৰ মাহত বিলাতৰ চৰকাৰী ভৰালত সোণৰ পৰিমাণ কমি যোৱা দেখি, বিলাতৰ গৱৰ্ণমেণ্টে স্বৰ্ণমান পৰিত্যাগ কৰিলে। ভাৰতীয় মুদ্ৰা ইংলণ্ডীয় মুদ্ৰাৰ লগত জোৰা খোৱা; গতিকে ভাৰতৰ আইনৰ যি ধাৰা অনুসৰি চৰকাৰে নোট বা টকাৰ সলনি সোণ দিবলৈ বাধ্য আছিল সেই ধাৰাটো ছমাহলৈ স্থগিত ৰখা হ'ল। তাৰ উপৰিও আমাৰ টকাক ষ্টাৰ্লিং অৰ্থাৎ বিলাতৰ নোটৰ লগত জোৰা লগাই দিয়া হ'ল। সিফালে পৃথিবীৰ প্ৰায় প্ৰত্যেক দেশতে সোণৰ বৰ নাটনি পৰিছে, কিন্তু এই বিধ ধাতু সৰহকৈ নাথাকিলে সেই দেশৰ মুদ্ৰা-নীতিক আন দেশবোৰে বিশ্বাস নকৰে। গতিকে প্ৰায় সকলো দেশেই বৰ্ত্তমানে বেছি মূল্য দিও সোণ কিনিব লাগিছে। ভাৰতৰ মানুহৰ এইবাৰ টকাৰ বৰ টান; গতিকে এনেকি তিৰোতাৰ হাতৰ কাণৰ এছিটিকা সোণ বেচিও ৰজাৰ খাজনা বা গুৰুৰ কৰ দিবলৈ বাধ্য হৈছে। যিসকল দেশী বা বিদেশী বেপাৰীয়ে ভাৰতত বেপাৰ কৰে তেওঁলোকৰ পক্ষে এইটো বৰ সোণালী সুযোগ। তেওঁলোকে গাৱেঁ গাৱেঁ ঘূৰি ফুৰি বজাৰতকৈ কম, এনেকি আধাতকৈও কম দামত ঘৰে ঘৰে সোণ কিনি লৈ তাক ন্যায্য মূল্যত ডাঙৰ মহাজনত বেচিছে। এই বেপাৰীবিলাকে সাধাৰণতঃ তোলাই পতি ১০৲।১৫৲ টকাৰ বেছি দিয়া নাই; অথচ এওঁলোকে তোলাই পতি ২৯৲।৩০৲ টকাকৈ বেচিছে। এই মূল মহাজন বিলাকে আকৌ বিদেশলৈ সোণ চালান দি প্ৰায় প্ৰতি লাখত এঘাৰ হেজাৰকৈ টকা লাভ পাইছে। এইদৰে চেপ্টেম্বৰৰ ২৭ তাৰিখৰ পৰা ১৫ জানুৱাৰীলৈ এই চাৰি মাহতকৈও কম সময়ৰ ভিতৰত ভাৰতৰ পৰা ৪২ কোটি টকাৰ সোণ বিদেশলৈ গৈছে।

ভাৰত চৰকাৰে আনন্দ প্ৰকাশ কৰি কৈছে যে ইমান দিনে ভাৰতীয় মানুহৰ এই সাঁচতীয়া সোণবোৰ মানুহৰ ঘৰে ঘৰে তিৰোতাৰ গলত, ছোৱালীৰ নাকত বা হাতনি পেৰাত অকামিলা হৈ পৰি আছিল। এতিয়া এই অৰ্থসঙ্কটৰ দিনত তাক বেচি প্ৰত্যেকে দুই চাৰি টকা হাতত পাইছে। আন আন যিবিলাকে এতিয়াও এই সোণ নেবেচাকৈ আছে, তেওঁলোকে বেচিবলৈ দিহা কৰা উচিত। বিদেশী বিশেষজ্ঞসকলে কয়, ভাৰতৰ এই সাঁচতীয়া সোণৰ পৰিমাণ হেনো ২২৫৲ কোটি টকাৰো বেছি।

কিন্তু ভাৰতৰ সকলো শ্ৰেণীৰ মানুহে আপত্তি প্ৰকাশ কৰি কৈছে যে চৰকাৰে এইদৰে বেপাৰীবিলাকক সোণ ৰপ্তানী কৰিবলৈ দিয়াটো উচিত হোৱা নাই। চৰকাৰে যদি নিজৰ ভৰালৰ সোণখিনিকে উলিয়াই দিয়ে তেনেহলে ভাৰতীয় মুদ্ৰানীতিত কোনে বিশ্বাস কৰিব? পৃথিবীৰ প্ৰত্যেকে এতিয়া সোণ জমাবলৈ চেষ্টা কৰিছে! এনে সময়ত ভাৰতৰ পৰা ইমান অজস্ৰ টকাৰ সোণ উলিয়াই দিয়াটো উচিত হোৱা নাই। যোৱা ২৬ জানুৱাৰী তাৰিখে কলিকতাৰ ইণ্ডিয়ান চেম্বাৰ অব্ কমাৰ্ছ বোলা বণিকসভাৰ সভাপতিজনে এই বিষয়ে ভাৰত গৱৰ্ণমেণ্টলৈ এখন চিঠি লিখি চৰকাৰৰ বৰ্ত্তমান নীতিৰ তীব্ৰ প্ৰতিবাদ আৰু নিন্দা কৰিছে। তেওঁ ইয়াকে কৈছে যে এই নীতিৰ ফলত এফালে ৰাইজৰ দুখৰ মাত্ৰা বাঢ়ি গৈছে, কিন্তু গৱৰ্ণমেণ্ট সেই হিচাপে ধনী হোৱা নাই। কাৰণ মাজৰ এই নানা শ্ৰেণীৰ বেপাৰীবিলাকে লাভ স্বৰূপ বহু অংশ নিছে। গতিকে যাতে কোনো মানুহে নিজাকৈ বিদেশলৈ সোণ ৰপ্তানী কৰিব নোৱাৰে, সেই উদ্দেশ্যে আইন হোৱা উচিত। যিসকল মানুহে সোণ বেচিব খোজে, চৰকাৰে সেইবিলাকৰ সোণ বজাৰ দৰত কিনি লব লাগে। এই দৰে এফালে খেতিয়কেও সোণ বেচি লাভৰ সম্পূৰ্ণাংশ লাভ কৰিব, আনপিনে চৰকাৰী ভৰালতো সোণৰ পৰিমাণ বাঢ়িব। এই বণিকসভাই আৰু কৈছে যে কোনোবাই যদি সোণ বন্ধক থৈ টকা ধাৰলৈ খোজে, তেওঁকো চৰকাৰে অতি সুবিধাজনক ৰূপে টকা দিয়া বাঞ্ছনীয়। এয়ে হলে খেতিয়কে শীঘ্ৰে নিজৰ অৰ্থনৈতিক অৱস্থাৰ পৰিবৰ্ত্তন কৰিবলৈ সুবিধা পাব।

চীন-জাপান

চীন আৰু জাপানৰ মাজৰ মিত্ৰভাব ক্ৰমান্বয়ে নষ্ট হৈ আহিছে। চীনৰ উত্তৰাঞ্চলৰ মাঞ্চুৰিয়া প্ৰদেশ লৈ দুয়ো জাতিৰ মাজত বিষম মনোমালিন্য উপস্থিত হৈছে। মাঞ্চুৰিয়াত তিনটা জাতিৰ স্বাৰ্থ আছে, চীন, জাপান আৰু চোভিয়েট ৰুছিয়াৰ। দেশখন চীন-সাম্ৰাজ্যৰ ভিতৰুৱা, আৰু দেশৰ আৰ্থিক সম্পদত ধনী। কিন্তু ইতিপূৰ্ব্বে তাৰ সম্পদৰ ওপৰত চীনাবিলাকৰ চকু পৰা নাছিল, কাৰণ আজি বহুদিন ধৰি তেওঁলোকে নানা ঘৰুৱা জঞ্জালত লাগি থাকিব লগা হৈছিল। কিন্তু চীনৰ এই নবজাগৰণৰ দিনত ক্ৰমে প্ৰত্যেক চীনাবাসীয়ে দেশৰ কথা ভাবিবলৈ শিকিছে আৰু তেওঁলোকে এতিয়া মাঞ্চুৰিয়াৰ পিনে চকু দিছে। তাত জাপানৰ বহু অধিবাসীয়ে উপনিবেশ পাতি নিজৰ সমৃদ্ধি বঢ়াইছে। বৰ্ত্তমানে জাপানৰ লোকসংখ্যা ইমান বাঢ়ি গৈছে যে নিজৰ দেশৰ উৎপন্নৰে আটাইবিলাকক নোজোৰে। এই অতিৰিক্ত মানুহবিলাকৰ বাবে জাপানে কোৰিয়া আৰু মাঞ্চুৰিয়াকে সুবিধা ঠাই পাইছে। গতিকে চীনাবিলাকে মাঞ্চুৰিয়াৰ সম্পদ নিজৰ বাবে ৰাখিব খুজিলেও জাপানে এৰি দিয়াটো সহজ নহয়। সেই বাবে দুয়ো জাতিৰ মাজত ঘোৰ মনোমালিন্য হৈছে। আৰু ইতিপূৰ্ব্বে দুই এখন সৰুসুৰা যুদ্ধ পৰ্য্যন্ত হৈ গৈছে। ৰুছিয়াৰ ৰেলৰ লাইন এই মাঞ্চুৰিয়াৰ মাজেদি। কিন্তু চীনাবিলাকেও ৰুছিয়াৰ প্ৰতি বৰ্ত্তমানে কটাক্ষপাত কৰা নাই, আৰু ৰুছিয়াও এতিয়ালৈকে মনে মনে আছে। জেনেভাৰ আন্তৰ্জাতিক মহাসভাই চীন-জাপানৰ সমস্যা এতিয়ালৈকে সমাধান কৰিব পৰা নাই, আৰু এই বিষয়ে অনুসন্ধান কৰিবলৈ লৰ্ড লিটনৰ নেতৃত্বত মাঞ্চুৰিয়ালৈ এটি কমিশ্যন গৈছে। কমিশ্যনৰ ফলাফল সম্পৰ্কে এতিয়াও বৰ সন্দেহ আছে। কাৰণ দিনে দিনে দুয়ো জাতিৰ সংঘৰ্ষ বাঢ়িহে আহিছে আৰু বৰ্ত্তমানলৈকে চাংহাইত দুয়ো জাতিৰ সৈন্যৰ বিষম সংঘৰ্ষৰ বাতৰি পোৱা গৈছে। আমেৰিকাই জাপানৰ কাৰ্য্যত ভাল পোৱা নাই, আৰু পৰৰাষ্ট্ৰ সচিব মিঃ ষ্টিমশ্যনে জাপানক সতৰ্ক কৰি দিয়াতো জাপানে তালৈ কাণ নকৰাত, তেওঁ ইংলণ্ডলৈ লিখিছে যে জাপানে যদি কথা নুশুনি মাঞ্চুৰিয়াৰ ওপৰত হাত দিয়ে বা চীনৰ প্ৰতি অত্যাচাৰ কৰে তেনেহলে বাণিজ্য ক্ষেত্ৰত সকলো জাতিয়ে জাপানক বয়কট কৰিবলৈ বাধ্য হব। ইংলণ্ডই কি উত্তৰ দিয়ে তাক এতিয়াও জনা যোৱা নাই। ইফালে আন্তৰ্জাতিক মহা-সভাত এই সমস্যা সম্পৰ্কে বৰ চাঞ্চল্য উপস্থিত হৈছে। চীন-জাপান দুয়ো জাতিয়েই এই মহাসভাৰ সভ্য। গতিকে, আনৰ কথা নালাগে সভাৰ এই সদস্য দুটি জাতিৰ কাজিয়া মাৰি দিয়াত মহাসভা কিমানদূৰ কৃতকাৰ্য্য হয়, তাকেহে চাব লগীয়া। আচলতে মহাসভাৰ ভবিষ্যৎ সফলতা বা সাৰ্থকতা সম্বন্ধে এই সমস্যাৰ সমাধান বিষয়তে প্ৰমাণ পোৱা যাব বুলি বহুতে বিবেচনা কৰে।

মহিলা জগত



আকাশ-যানত সুদক্ষা মিচ এমি জনস্যন



ননমাকৈ পূৰা এমাহ আকাশ-যান চলাবলৈ ওলোৱা মিচেচ ভিক্টৰ ব্ৰুচ



বিচাৰৰ ভাৰ পোৱা এগৰাকী বম্বে মহিলা

সম্পাদকীয়

ভাৰতৰ সোণ চালান

আন্তৰ্জাতিক বাণিজ্যৰ বিনিময়ৰ আদৰ্শ-মুদ্ৰা সোণ। এই সোণ 'বেঙ্ক অব ইংলণ্ড'ৰ ভৰালত কম পৰাত ইংলণ্ডই বাধ্য হৈ স্বৰ্ণমান এৰি দিলে। আৰু লগতে ভাৰতীয় মুদ্ৰা টকাক তাৰ ষ্টাৰ্লিং অৰ্থাৎ নোটৰ লগত জুৰিলে। স্বৰ্ণমানৰ আচল কথা--সোণৰ মূল্য আন সকলো ধাতুৰ মূল্যতকৈ বেছি স্থায়ী। সেই নিমিত্তে সোণৰ মুদ্ৰাৰ সলনি আন আন যিবিলাক সস্তা আৰু অস্থায়ী মুদ্ৰা বা নোট চলোৱা হয় তাৰ জোখেৰে চৰকাৰী ভৰালত সোণ জমা থাকিলেহে এইবিলাক নিকৃষ্টতৰ বিনিময়ৰ বস্তুলৈ মানুহৰ আস্থা থাকে। সেই নিমিত্তে সোণ সংগ্ৰহ কৰিবলৈ সকলো দেশৰ মানুহৰে সাধাৰণ আগ্ৰহ এটা দেখা যায়। ইংলণ্ডৰ আকৌ দেখা যায় ইয়াৰ লগতে সোণৰ অভাৱ পূৰণৰ গৰজ।

এইবিলাক কাৰণত সোণৰ দৰ অলপ চৰিল। ভাৰতৰ মানুহ দুখীয়া। তাতে আকৌ যোৱা দুবছৰ নানা অপায় আৰু ব্যৱসায়ত বেয়া হোৱা গতিকে মানুহ একেবাৰে সম্বলহীন হৈ পৰিছে। এনে অৱস্থাত এই সামান্য চৰা দামকে সোণালি সুযোগ মনে কৰিলে। তেতিয়া সাঁচতীয়া সোণ বেচিবলৈ আৰম্ভ কৰিলে। এনেকৈ ১৯৩১ ইং চনৰ ২৬ চেপ্টেম্বৰৰ পৰা ১৯৩২ চনৰ ১৫ জানুৱাৰীলৈকে ৪২ কৌটীতকৈ বেছি টকাৰ সোণ ৰপ্তানী হৈছে। ভাৰতৰ মানুহে কিন্তু সোণ বেচি সামান্য লাভ হে পাইছে। বেছি লাভ খাইছে মাজৰ বিদেশী বেপাৰীসকলে। এই সোণ এতিয়া নেবেচি ভৱিষ্যতলৈ ৰাখিলে ভাৰতৰ মানুহ বেছি লাভৱান হব পাৰিব, এয়ে ভাৰতৰ অৰ্থনীতিবিদ্‌সকলৰ মত। ভাৰতীয় ব্যৱস্থা পৰিষদৰ যোৱা অধিবেশনতো ডেপুটি প্ৰেচিডেণ্ট মিঃ সন্মুখম্ চেটিয়ে আৰম্ভ হোৱা এই সোণৰ ৰপ্তানী বন্ধ কৰিবলৈ কি উপায় কৰা হৈছে, প্ৰশ্ন সোধাত ৰাজস্ব-সচিব স্যাৰ জৰ্জ স্যুষ্টাৰে আৱশ্যকমতে যথাবিহিত ব্যৱস্থা বিহা হব বুলি নিৰ্ভয় দিছিল। কিন্তু ইমানখিনি সোণ ভাৰতৰ পৰা ওলাই যোৱাতো ব্যৱস্থা কৰিব লগীয়া অৱস্থা হোৱা বুলি ৰাজস্ব-সচিবে ভাবিছে যেন দেখা নাই। বৰলাট লৰ্ড ৱিলিংডনে আকৌ এই সোণ চালানত ভাৰতৰ পক্ষে মঙ্গলৰহে কল্পনা কৰিছে। দেশৰ অৰ্থনীতিবিদ্‌সকল, দেশবাসীৰ মুখপত্ৰ বাতৰি-কাকত-বিলাক আৰু বিষেশকৈ ভাৰতীয় বণিক সমিতিয়ে কিন্তু ভাৰত গভৰ্ণমেণ্টে নিজে এই সোণ জমাই দুখীয়া ৰায়তক সহায় কৰাৰ লগে লগে গভৰ্ণমেণ্টৰ সন্মান আৰু সুখ্যাতি বঢ়াই তুলিব বুলি আশা কৰিছিল। তথাপি ভাৰতৰ লোকমতৰ বিৰুদ্ধে এই ৰপ্তানী চলিবলৈ দিয়াত পৃথিবীৰ নানা ঠাইলৈ ভাৰতৰ সোণ গলেও ইয়াৰ সৰহ ভাগ গৈছে ইংলণ্ডলৈ। ভাৰতৰ সোণ গৈ ইংলণ্ডৰ সমস্যা সমাধানত আৰু সমৃদ্ধি বৃদ্ধিত সহায় কৰিছে। আৰু এতিয়ালৈ যিমান টকাৰ সোণ ৰপ্তানী হৈছে তাৰ ভিতৰত প্ৰায় ৫০ কৌটী টকাৰ সোণ অকল ইংলণ্ডলৈ গৈছে। ভাৰতৰ এই সোণ গৈ পৰা বাবেহে ইংলণ্ডই ফ্ৰান্স আৰু আমেৰিকাৰ ৩ কৌটি পাউণ্ড অৰ্থাৎ প্ৰায় ৪০ কৌটি টকা ধাৰ শুজিবলৈ সমৰ্থ হৈছে। আকৌ অহা আগষ্ট মাহলৈ আন এটা কিস্তি আমেৰিকা আৰু ফ্ৰান্সক শোধাবলৈ ইংলণ্ডই যে বিশেষ চিন্তিত হৈছে আৰু যে ভাৰতৰ ওপৰতে তাৰ বাবে নিৰ্ভৰ কৰিব লগীয়া তাক বিলাতী "নিউ ষ্টেটচমেন" কাকতৰ এই কথাৰ পৰাই ওলাই পৰিছে—"But the return of eighty millions will cause us a good deal of trouble, unless gold continues to come from India on an increasing scale" অৰ্থাৎ "যদি ভাৰতৰ পৰা ক্ৰমশঃ বেছি পৰিমাণে সোণ নাহে তেনেহলে এই টকা শুজিবলৈ

ভয়ঙ্কৰ মুস্কিলত পৰিব লাগিব"। ইফালে ভাৰতৰ লোকমতৰ বিৰুদ্ধে বৰলাট লৰ্ড ৱিলিংডনৰ ভাৰতৰ মঙ্গলৰ সপোন আৰু ৰাজস্ব-সচিবৰ নিষ্ক্ৰিয় ভাবৰ লগত তেওঁলোকৰ স্ব-দেশৰ স্বাৰ্থৰ যোগ থকা সন্দেহ জন্মা অস্বাভাৱিক নহয়। আনফালে এই সময়তে আকৌ ভাৰতৰ স্বাৰ্থৰ উন্নতিৰ হকে শাসনৰ নতুন কিস্তিৰ আঁচনি কৰিবলৈ নানা কমিটিৰ কাম আৰম্ভ হৈছে। আন কাৰণে নহলেও অন্ততঃ এই বিসদৃশ ভাবৰ সৃষ্টি নকৰিবলৈ গৱৰ্ণমেণ্টে লৰালৰিকৈ এই ৰপ্তানী বন্ধ কৰা উচিত।

হত্যা-চেষ্টা আৰু গভৰ্ণমেণ্ট

যোৱা ২৩ মাঘৰ কলিকতা বিশ্ববিদ্যালয়ৰ কন্‌ভোকেশ্যনৰ দিনা সভাৰ ভিতৰতে গভৰ্ণৰ আৰু বিশ্ববিদ্যালয়ৰ চেন্সেলাৰ স্যাৰ ষ্টেন্‌লি জেক্সনক গুলী কৰি মাৰিবলৈ চেষ্টা কৰা হৈছিল। যেতিয়া স্যাৰ ষ্টেন্‌লিয়ে সভাত বক্তৃতা দিবলৈ উঠিছিল, তেতিয়া এই ঘটনা ঘটিছিল। সৌভাগ্যক্ৰমে তেওঁৰ গাত এটাও গুলীৰ আঘাত লগানাছিল। এই অসৎ চেষ্টা কৰাৰ অভিযোগত শ্ৰীমতী বীণা দাস বি, এ বুলি এগৰাকী ছোৱালী ধৰা পৰিছে।

এই ভ্ৰান্ত বাটেৰে ভাৰতৰ স্বাধীনতা সম্ভৱ নহয় বুলি ভাৰতৰ সকলো অনুষ্ঠান বিশেষকৈ প্ৰধান অনুষ্ঠান কংগ্ৰেছে তাৰ প্ৰতি ঘৃণা দেখাই অহা সত্বেও তাৰ পুনৰাবৃত্তি বন্ধ হোৱা নাই। এইসকল তথাকথিত ৰাজনৈতিক হত্যাকাৰীৰ লগত দেশৰ ৰাজনীতিৰ সম্বন্ধ থকা হলে দেশৰ হিতাকাঙ্ক্ষী কি ব্যক্তি, কি সমষ্টি সকলোৰে হাক বাধা এইসকলে এনেকৈ উৰাই দিব নোৱাৰিলে হেতেন। কংগ্ৰেচ, মহাত্মা গান্ধী আৰু আন আন সকলোৱে এনে হত্যাৰ দ্বাৰা ভাৰতৰ ইষ্ট লাভ নহৈ অনিষ্টহে হৈছে, স্বৰাজৰ বাট কণ্টকিত হৈছে বুলি মত প্ৰকাশ কৰিছে। তথাপি এইসকলে তেওঁলোকৰ ভ্ৰান্ত চেষ্টা এৰি নেপেলোৱাত গোটেই ভাৰতবাসীৰ চকুত তেওঁলোক দেশদ্ৰোহী হৈছে, তাক যেন তেওঁলোকে ভালদৰে জানি লয়। কাৰণ তেওঁলোকৰ কাৰ্য্যদ্বাৰা ভাৰতবাসীৰ পৱিত্ৰ অহিংস চেষ্টাত বিৰুদ্ধ দলৰ পক্ষে কলঙ্ক আৰোপ কৰিবলৈ সুবিধা দিয়া হৈছে।

এই ভ্ৰান্তবুদ্ধি বিপথগামীসকলৰ দ্বাৰা সৃষ্ট অশান্তিৰ বাবে গভৰ্ণমেণ্টেও অসৎ পৰামৰ্শদাতা আগে-মতা দলৰ কথা মতে কংগ্ৰেচক অৰ্থাৎ দেশৰ জনসাধাৰণক অনাহতকে দোষ দিবলৈ নিবিচাৰি প্ৰকৃত ঘটনা কি, অশান্তিৰ কাৰণ ক'ত তাক নিৰাকৰণ কৰিবলৈ চেষ্টা কৰিলে বোধহয় বাৰ মাহত তেৰটা অৰ্ডিনেন্স জাৰি কৰিবৰ আৱশ্যক নহল হেতেন।

এক পক্ষৰ মতে দেশত স্বৰাজ হলে নাইবা দেশ স্বাধীন হলে এনে ৰাজনৈতিক হত্যা বন্ধ হব, কিন্তু আনপক্ষই সেই কথা বিশ্বাস নকৰে। তেওঁলোকৰ মতে গভৰ্ণমেণ্ট ভাৰতীয় হলেও এনে হত্যা বন্ধ নহয়। অৱশ্যে স্বাধীন দেশতো ৰাজনৈতিক কাৰণৰ অশান্তি হেতুকে হত্যা নোহোৱাকৈ থকা দেখা নাযায়। কিন্তু এইটো ঠিক যে কোনো স্বাধীন দেশতে এনে উপদ্ৰৱ আঁতৰাবলৈ গোটেই দেশতে সামৰিক আইনৰ দৰে অৰ্ডিনেন্স জাৰি কৰি নিৰীহ জনসাধাৰণকো অতিষ্ঠ কৰি তোলা নহয়। সাধাৰণ আইনৰ দ্বাৰাই তাক দূৰ কৰিবলৈ চেষ্টা কৰা হয়, বিশেষকৈ সেই বিলাক দেশত চেষ্টা চলে অশান্তিৰ মূল কাৰণ আঁতৰাবলৈ। ভাৰতত শাসকসকলক মূল ৰোগ বিচাৰি দৰবৰ ব্যৱস্থা কৰিবলৈ দেখা নাযায়। সেই নিমিত্তেই বোধহয় এই ৰোগ অন্তৰ্হিত নহৈ ক্ৰমে ব্যাপকতাহে লাভ কৰে।

অসমৰ ৰাজহ

অসম চৰকাৰৰ ৰাজহ বিভাগৰ বছৰেকীয়া ৰিপোৰ্ট প্ৰকাশ হৈছে। তাৰপৰা বুজা যায় যে মাটিৰ ৰাজহৰ পৰা, আগৰ বছৰৰ বাকী আৰু এই বছৰৰ মুঠ ১২৩৯৬৫২৭৲ টকা, ঘৰৰ টেক্স, মাছ-বিভাগ, চৰণীয়া পথাৰ, খনি আদিৰপৰা ১৮৯৪৬৫০৲ টকা, আৰু লোকেল ৰেটৰ পৰা ১৩৬৬১৬৯৲ টকা অৰ্থাৎ মুঠ ১৫৬৫৭৩৪৬৲ টকা ৰাজহ পাব লগীয়া আছিল। তাৰ ভিতৰত মাটিৰ ৰাজহ ১২৩৯৬৫২৭৲ টকাৰ শতকৰা ৭৬৲ টকাকৈহে অৰ্থাৎ ৯৪২১৩৬০॥০ অনাহে উঠিছে। কিন্তু সুৰমা উপত্যকাৰ পৰা উঠিব লগা ২৫৩২৬৬১৲ টকাৰ মুঠে ১৭০৯১৬১৲ টকাহে অৰ্থাৎ

শতকৰা প্ৰায় ৬৭৲ টকাকৈহে উঠিছে। ইয়াৰপৰা বুজা যায় যে অসম উপত্যকাৰপৰা উঠিব লগীয়া ৰাজহৰ শতকৰা প্ৰায় ৮৫৲ টকাকৈ উঠিছে। আগৰ বছৰৰ বাকী আঞ্জানৰো অসম উপত্যকাৰ ২৯৬০৯৯৲ টকাৰ ৪৩৫৬৭৲ টকা উঠিছে আৰু ২৫৩০৪২৲ টকা বাকী আছে। কিন্তু সুৰমা উপত্যকাৰ বাকী থকা ৩১০৮৮৩৬৲ টকাৰ মুঠে ৭৭০৬৩৭৲ টকা উঠিছে আৰু ২৩৩০১৯৯৲ টকা বাকী আছে। মাটিৰ ৰাজহৰ দৰে অন্যান্য বিভাগতো এই সুৰমা উপত্যকাৰ পৰা পাব লগা ৰাজহৰ বহুখিনি আদায় হোৱা নাই। আলোচ্য বছৰৰ প্ৰদেশৰ ৰাজহ ১৫২৬৮৫৲ টকা বাঢ়িছিল, তাৰ ভিতৰৰ ১৫০৫৫৯৲ টকা অসম উপত্যকাৰ পৰা পাব লগা আছিল।

ওপৰৰ কথাখিনি আলোচনা কৰিলে দেখা যায় যে যদিও প্ৰদেশ হিচাপে অসমৰ এই ১৯৩০-৩১ চনৰ ৰাজহৰ পৰিমাণ দেখাত বাঢ়িলেও, আচলতে উঠাত কম উঠিছে। তথাপি সুৰমা উপত্যকাৰ তুলনাত অসম উপত্যকাৰ পৰা আশাতীত ৰকমে ৰাজহ আদায় হৈছে। আৰু এই বছৰত অসম উপত্যকাৰ ৰাস্তুসকল বানপানীত ক্ষুকলা হলেও, চৰকাৰৰ ৰাজহ আদায়ত ঘাটি পৰা নাই। আগৰ বছৰৰ বাকী আৰু এই বছৰৰ বাকী সুৰমা উপত্যকাৰ পৰা প্ৰায় ৩১ লাখ টকা বাকী পৰাতহে চৰকাৰী ৰাজহৰ এই শোচনীয় অৱস্থা।

চৰকাৰ আৰু অসমীয়া প্ৰজাই এই কথা ভালকৈ ভাবি চাব লগীয়া হৈছে। চিলেটৰ নিজৰ ৰাজহে নোজোৱাত বছৰি প্ৰায় ১২ লাখকৈ টকা আন আন জিলাৰ ৰাজহৰপৰা দিব লাগে, তাৰ উপৰি এই বছৰৰ বাকী ৩১ লাখ টকাই অসম চৰকাৰক আৰ্থিক বিষয়ত দুৰ্বীয়া কৰা নাই, সমূহ অসমীয়া প্ৰজাৰে আগু বিপদৰ সূচনা কৰিছে। চৰকাৰে এই শোচনীয় অৱস্থাৰ বিহিত প্ৰতিকাৰ কৰা উচিত। চিলেটে যদি নিজৰ খৰচৰ বাবে টকা যোগাৰ নোৱাৰে, তেনেহলে বছৰি এইদৰে কেৱল সেই জিলাৰে স্বাৰ্থৰকাৰ বাবে আন আন জিলাই স্বাৰ্থত্যাগ কৰি চলাটো অসঙ্গত।

অসমৰ আৱকাৰী বিভাগ

আৱকাৰী বিভাগৰ ১৯৩০-৩১ চনৰ বছৰেকীয়া বিপোৰ্টত প্ৰকাশ, তাৰ আগৰ বছৰতকৈ এই বছৰ প্ৰায় ৯ লাখ টকা কম আদায় হৈছে। কৰ্তৃপক্ষৰ বিশ্বাস যে যদিও কিছু পৰিমাণে কানীয়া, ভজুৱা আৰু মদীৰ সংখ্যা কমি গৈছে, তথাপি ১৯২৫-২৬ চনত পট্টা দিয়া নিয়ম হোৱাৰ পৰা বিদেশৰপৰা কানি-ভাং আনি মনে মনে অসমত বেচা এটা ব্যৱসায় হৈ উঠিছে, আৰু বহুত কানীয়া ভজুৱাই পট্টা নোলোৱাকৈয়ে কানি-ভাং কিনিবলৈ পোৱাত এফালে চৰকাৰে মিছাতে ইমানখিনি ৰাজহ হেৰুৱাইছে; আনপিনে বিদেশী বেপাৰীয়ে সেইবোৰ টকা অসমীয়া মানুহৰপৰা চুচি নিবলৈ দৰাত দুযোফালে অসমৰ পক্ষে অপকাৰ হৈছে। আনপিনে মানুহৰ নৈতিক চৰিত্ৰহীনতাও বাঢ়িছে আহিব বুলি আশঙ্কা কৰা গৈছে। এই যুক্তিৰ সপক্ষে চৰকাৰে কয় যে ১৯২৫ চনৰ পূৰ্ব্বে অসমবপৰা কানি নি আন আন দেশত বেচা প্ৰমাণ পোৱা গৈছিল, কিন্তু এই পট্টা দিয়া নিয়ম হোৱাৰ পৰা কেৱল ১৯৩০-৩১ চনত ৩২৯৯ অসমত চুবকৈ কানি বেচা ঘটনা ধৰা পৰিছে। এই বছৰত ৫১ সেৰ এইদৰে বেচা কানি বেলেগ বেলেগ সময়ত ধৰা পৰে।

গৱৰ্ণমেণ্টে এইবাবে বিশ্বাস কৰে যে আগৰ নিয়ম কিছু ঢিলাই নিদিলে এই বে-আইনী ব্যৱসায়ত বাধা দিয়া টান। সেইবাবে ১৯২৩-৩৩ চনৰ বাবে, ব্যৱসায়ী মহলাদাৰসকলে মদৰ দোকান খোলাত কোনো বাধা দিয়া নহব, আৰু পাৰ্ব্বত্য আৰু অন্যন্যত অঞ্চলত জিলাৰ কৰ্ম্মচাৰীয়ে নতুন কানীয়াক লিষ্টিভুক্ত কৰি লবৰ ক্ষমতা পাব। সমভূমি অঞ্চলতো যিবোৰ কানীয়াই কানি নাখালে অপকাৰ হয় বুলি ডাক্তৰে চাৰ্টিফিকেট দিয়ে, সেইবিলাকক পট্টা দি কানি কিনিবলৈ দিয়া হব।

কৰ্তৃপক্ষৰ প্ৰস্তাৱিত ব্যৱস্থাই আমাৰ মনত ঘোৰ আশঙ্কাৰ উদ্ৰেক কৰিছে। ১৯২৫-২৬ চনৰ পিছত বহুবি গোপনে এই মাদক বস্তুবোৰৰ ব্যৱসায় কৰা ঘটনা আগতকৈ বেছিকৈ ধৰা পৰিছে বুলিয়েই ভবাটো অস্বাভাবিক নহয়। কিন্তু ইয়াৰ প্ৰতিকাৰ কি? আমাৰ মতে এই ব্যৱস্থাৰ ফলত কানীয়া ভজুৱাৰ সংখ্যা বাঢ়ি যাব, আনফালে এই ব্যৱসায় আৰু বেছিকৈ বহুলিব। চুবি কৰি কানি খোৱা বাধা দিব নোৱাৰি দেখাদেখিকৈ খাবলৈ মাতি গৱৰ্ণমেণ্টে প্ৰলোভনৰ বাট মুকলিহে কৰি দিছে আৰু লগে লগে নিজৰ ক্ষমতাহীনতাৰ পৰিচয় দি আমৰ হাস্যাস্পদ হবৰ কাৰবাৰ কৰিছে।

দেশৰ ৰাজহ বঢ়োৱাৰ ব্যৱস্থা প্ৰত্যেক দেশৰ চৰকাৰেই কৰা উচিত। কিন্তু মানুহক মোকৰ্দ্দমা কৰিবলৈ মাতি আনি ষ্টাম্পৰ পৰা বা কানি খা বুলি কানি দি কিনিবপৰা ৰাজহ বঢ়াবলৈ চেষ্টা কৰাত কৰ্তৃপক্ষই অদূৰদৰ্শিতাৰহে পৰিচয় দিছে। চৰকাৰী ৰাজহৰ তিনিভাগৰ এভাগ এতিয়াও আৱকাৰী বিভাগৰ পৰাই পোৱা হয়; অসমে বৰ্ত্তমানে এই দুৰ্দ্দাম ওচাৰলৈহে যত্ন কৰিব লাগে। তাকে নকৰি আৱকাৰী বাজহৰেৰে দেশ শাসন কৰিবলৈ বিচৰাটো বাঞ্ছনীতিজ্ঞতাৰ পৰিচায়ক নহয় যেন লাগে।

সমবায় সমিতি

অসম সমবায় বিভাগৰ বিপোৰ্ট কোনো প্ৰকাৰে আশাজনক নহয়। অসমত খেতিয়ক শ্ৰেণীৰ মানুহৰ সংখ্যা শতকৰা প্ৰায় ৯০ জন। অথচ অসমৰ দৰে

যে আগতকৈ বৰ্ত্তমানে এই চুব কৰি বেচা-কিনা কৰা ব্যৱসায়ৰ পৰিমাণ বাঢ়িছে। আৰু আগতকৈ বিমান ৰাজহ কমিছে, তিমান এই গোপন ব্যৱসায়ৰ সহায়ত বিদেশলৈ গৈছে, বা কানীয়া ভজুৱা মদৰীসকলে তিমান টকাৰ মদ, ভাং বা কানি এতিয়াও খায়ে আছে বুলিও ক'ৱা অযুক্তিসঙ্গত। বৰং আমাৰ এইটোহে বিশ্বাস হয় যে ১৯২৫-২৬ চনৰ পূৰ্ব্বেও এনে গোপন ব্যৱসায় চলিত আছিল, কিন্তু কৰ্তৃপক্ষৰ পৰা এইবোৰ ধৰিবলৈ কোনো সুবন্দোবস্ত নথকাত সি ধৰা পৰা নাছিল। এনেকি যদি এই ব্যৱসায় আগতকৈ অলপ বাঢ়িছে বুলিও ক'ৱা হয়, তথাপি এফালে যাতে মাদক বস্তু খোৱা মানুহৰ সংখ্যা ক্ৰমে কমি যায়, আনফালে এনে ব্যৱসাহো লাহে লাহে হ্ৰাস পায়, তাৰেহে বন্দোবস্ত হোৱা উচিত। তাকে নকৰি বৰ্ত্তমানে যি ব্যৱস্থা কৰা হৈছে, তাৰপৰা এই গোপন ব্যৱসায় তো নকমেই, বৰং এফালে কানীয়া ভজুৱাৰ সংখ্যা বাঢ়ি যাব, আনফালে এই ব্যৱসায় আৰু বেছিকৈহে চলিব। চুবি কৰি কানি খোৱা বাধা দিব নোৱাৰি দেখাদেখিকৈ খাবলৈ মাতি গৱৰ্ণমেণ্টে প্ৰলোভনৰ বাট মুকলিহে কৰি দিছে আৰু লগে লগে নিজৰ ক্ষমতাহীনতাৰ পৰিচয় দি আমৰ হাস্যাস্পদ হবৰ কাৰবাৰ কৰিছে।

দেশৰ ৰাজহ বঢ়োৱাৰ ব্যৱস্থা প্ৰত্যেক দেশৰ চৰকাৰেই কৰা উচিত। কিন্তু মানুহক মোকৰ্দ্দমা কৰিবলৈ মাতি আনি ষ্টাম্পৰ পৰা বা কানি খা বুলি কানি দি কিনিবপৰা ৰাজহ বঢ়াবলৈ চেষ্টা কৰাত কৰ্তৃপক্ষই অদূৰদৰ্শিতাৰহে পৰিচয় দিছে। চৰকাৰী ৰাজহৰ তিনিভাগৰ এভাগ এতিয়াও আৱকাৰী বিভাগৰ পৰাই পোৱা হয়; অসমে বৰ্ত্তমানে এই দুৰ্দ্দাম ওচাৰলৈহে যত্ন কৰিব লাগে। তাকে নকৰি আৱকাৰী বাজহেৰে দেশ শাসন কৰিবলৈ বিচৰাটো বাঞ্ছনীতিজ্ঞতাৰ পৰিচায়ক নহয় যেন লাগে।

সমবায় সমিতি

অসম সমবায় বিভাগৰ বিপোৰ্ট কোনো প্ৰকাৰে আশাজনক নহয়। অসমত খেতিয়ক শ্ৰেণীৰ মানুহৰ সংখ্যা শতকৰা প্ৰায় ৯০ জন। অথচ অসমৰ দৰে প্ৰাকৃতিক সমৃদ্ধিপূৰ্ণ দেশত থাকিও আমাৰ বেছিভাগ খেতিয়কেই কবলৈ গলে ছাল-ছিগা অৱস্থাৰ। অসমত সমবায় বিভাগ প্ৰতিষ্ঠিত হবৰ আজি কত দিন হ'ল, কিন্তু এই বিভাগৰ সাহায্যত অসমীয়া বাইজৰ অৱস্থাৰ কিবা পৰিবৰ্ত্তন হ'ল নে? আজি সেই দেখিয়ে কব লগীয়াত পৰিছে যে চৰকাৰী কাকত-পত্ৰতহে এই বিভাগৰ অস্তিত্ব অনুভৱ কৰিব পাৰি, গাওঁত বা বাইজৰ মাজত নহয়। সেই দেখিয়েই এজন অৰ্থনীতিজ্ঞ ইংৰাজে কৈছে যে ভাৰতত সমবায় বিভাগটো এটা চৰকাৰী নীতি মাথোন কামত তাৰ অস্তিত্ব নাই (It is a policy, not a practice)।

এই বিভাগৰ ৰেজিষ্ট্ৰাৰে বিপোৰ্টত কৈছে যে ১৯৩০-৩১ চনত হিচাপ-পত্ৰৰ গোলমাল আৰু নানা ৰেমেজালিৰ কাৰণে চৰকাৰে বহুতো সমিতি বন্ধ কৰি দিবলৈ বাধ্য হয়। তেওঁ ইয়াকো কৈছে যে সমৰায় বিভাগ সম্পৰ্কে দেশত প্ৰচাৰকাৰ্য্য লাগে—গতিকে এই সময়ত এনেকৈ বন্ধ কৰি দিব লগা সমিতিবোৰ প্ৰচাৰকাৰ্য্যৰ অনুকূল নহয়। আমি আমাৰ সুযোগ্য ৰেজিষ্ট্ৰাৰ মিঃ আই, মজিদ ডাঙৰীয়াৰ এই কথা সম্পূৰ্ণে সমৰ্থন কৰোঁ। কিন্তু চুবৰ কথা এই যে এই সময়ৰ আন্দোলনৰ আৱশ্যকতা সম্পৰ্কে অসমত কোনো প্ৰকাৰ প্ৰচাৰকাৰ্য্য হোৱা নাই, ৰাইজৰ পক্ষবপৰা কোনোৱে তো আন্তৰিকতাৰে এই কামত হাত দিয়াই নাই। চৰকাৰী পক্ষবপৰাও তাৰ বাবে কোনো ব্যৱস্থা হোৱা নাই। অসম বেঙ্কিং তদন্ত কমিটিয়ে ঠিক কথাকে কৈছে যে বাইজে নালাগে, সমৰায় বিভাগৰ কৰ্ম্মচাৰীসকলবো বেছিভাগে এই বিভাগৰ মূল উদ্দেশ্যকে বুজি নাপায়; গতিকে তেনে মানুহে বাইজক তাৰ উপকাৰিতাসম্বন্ধে উপদেশ দিয়া অসম্ভৱ। প্ৰত্যেক জিলাৰ দুই চাৰি ঠাইত দি দুই এটি সমিতি প্ৰতিষ্ঠিত হৈছে, তাৰ কাৰণ বিচাৰি এই কমিটিয়ে কৈছে যে গাৱঁলীয়া মানুহে এই সমিতিবোৰৰ পৰা সহজে আৰু আন মহাজনতকৈ কম সুদত টকা ধাৰলৈ পায় আৰু টকা পৰিশোধ কৰা সম্বন্ধেও বিশেষ জোৰ-জবৰদস্তি নাই। গতিকে তেওঁলোকে এনে এটি বেঙ্ক পাতিবলৈ চেষ্টা কৰে।

কিন্তু প্রকৃতপক্ষে এনে কামব দ্বাবা সমবাষব মূল উদ্দেশ্যকে নষ্ট কবা হয়। কোরা বাহুল্য, অসমত বর্তমান চলি থকা সমিতিবোবব মেছিভাগেই এই ধবণব বেক।

প্রতিকাবব উপায়

সমবায় বিভাগটোক প্রকৃত জাতীয় উন্নতিমূলক বিভাগ বুলি ধবি ললে তাক অতি শীঘ্রে সংস্কাব কবিবলৈ চেষ্টা কবা দর্কাব। বয়েল কৃষি কমিশনে সেই দেখিয়েই কৈ গৈছে যে চবকাবব পক্ষব পবা ইয়াব আবশ্যকতাব বিষয়ে বাইজব মাজত বিশেষ প্রচাব কার্য্য চলিব লাগে। এই উদ্দেশ্যে এই বিভাগত এনে কর্ম্মচাবী নিয়োগ কবিব লাগে যিসকলে সমবায় সম্বন্ধে বিশেষ জ্ঞান লাভ কবিছে, আৰু যাব গাঁৱলীয়া মানুহব লগত সম্পূর্ণ সহানুভূতি আছে। কাবণ খেতিয়কৰ অন্তৰীণ লগত সহানুভূতি নথকা ধনী বা চহবত থকা মানুহক কর্ম্মচাবী নিযুক্ত কবিলে, তেনে মানুহে সমবায়ৰ আৱশ্যকতা বুজিও বাইজব মাজত তাক যথাযথৰূপে প্রচাব কবা টান। তদুপবি প্রত্যেক প্রদেশতে এনে একোজন কর্ম্মচাবী বাখিব লাগে, যিজনে নিজব প্রদেশব সমবায় বিভাগব লগে লগে আন আন প্রদেশব এই বিভাগ সম্পর্কে বিশেষ জ্ঞানলাভ কবিছে। তেওঁক যুবোপলৈ পঠাই তাব উন্নত দেশবিলাকব সমবায় আন্দোলন অধ্যয়ন কবিবলৈ সুবিধা দিব লাগে। এনেকি বাইজব মাজব পবাও যদি কোনোবাই অনাবেবী অৰ্গেনাইজাব হিছাপে বিদেশলৈ গৈ এই আন্দোলন সম্বন্ধে জ্ঞান লাভ কবিব খোজে, তেনেহলে তেনে বন্দোবস্ত চবকাবে কবা উচিত।

দুখব বিষয় অসমত এই আন্দোলন সফল কবিবলৈ আজি পবিমিত কোনো বন্দোবস্ত হোৱা নাই। অসমত সমবায় আন্দোলন সম্পর্কে বিদেশত অধ্যয়ন কবিব খোজা কোনো শিক্ষিত ডেকা নাই জানো? আমাব বিশ্বাস এবছব বা দুবছব এই বিভাগব পবা বাইজক টকা ধাবলৈ দিয়া বন্ধ কবি দুজন কর্ম্মচাবীও কমাই, উৎসাহী দুই এজন ডেকাক এই বিষয়ে বিদেশত শিক্ষা দিয়াব বন্দোবস্ত কবা যুক্তিযুক্ত হব। প্রকৃতপক্ষে কার্য্যকবী নহলে এনে অকামিলাকৈ কোনো বিভাগ একোটা বাখি বছবি অজস্র টকা খবচ কবাব সার্থকতা কি?

মাঘ বিহুব উৎসব

মাঘ বিহু, বহাগ বিহু এই দুটাই অসমীয়াব প্রধান উৎসব। হিন্দু মুছলমান খৃষ্টীয়ান সকলোবে এই উৎসবত যোগ আছে—সেয়ে ইয়াব বিশেষ বিশেষত্ব আক সেই নিমিত্তেই ই অসমীয়াব জাতীয় উৎসব। সম্প্রতি ভাবতীয় জাতীয় কংগ্রেচব আমোলত নানা জাতীয় অনুষ্ঠান পতা হলেও জাতীয় (national) কথাটো আজিকালি যি অর্থত ব্যবহাব হয় ঠিক তেনে অর্থত ভাবতত বা ভাবতব প্রদেশ বিলাকব ভিতবত কোনো জাতীয় উৎসব আছিল বুলি গম পোৱা নাযায়। অসমীয়াব বিহু উৎসব বহুকাল আগব পবাই জাতীয় উৎসব ৰূপে চলি আছিছে। আকৌ আজি কালিব জাতীয় উৎসব আক বিহুব জাতীয় উৎসবব ভিতবত লক্ষ্য কবিব লগীয়া এয়ে যে বিহুব উৎসবত ধর্ম্মব অঙ্গ বিশেষ একো নাথাকিলেও সামাজিকতাব সংস্রবহীন নহয়; অথচ এই সামাজিকতা কোনো ধর্ম্মব কোনো সম্প্রদায়ব মানুহবে পকে আপত্তিজনকো নহয়। এনেকি সকলো সমাজব আক ধর্ম্মব মানুহক এক সামাজিক বান্ধোনেবে মিল খুৱাবব সুচল আক মুকলি ক্ষেত্র হৈছে অসমীয়াব বিহু উৎসব। এনে উৎসবব প্রভাবতহে আজিব অসমীয়া হিন্দু মুছলমান নির্ব্বিশেষে ভাই ভাই হৈ চলি থাকিব পাবিছে। এই বিহুব মিলনৰ মাজেদি অসমীয়া মুছলমানে হিন্দুব পূজা-পৰ্ব্বব উৎসহত যোগ দিয়া আক হিন্দুবেও মুছলমানব ঈদলৈ সহানুভূতি দেখুৱা সম্ভব হৈছে।

আজি ভাবতত নানা ধর্ম্ম, নানা সম্প্রদায়ব অনৈক্যব মাজত কংগ্রেচব জাতীয় একতাব চেষ্টা এনে বিহু উৎসবব দ্বাবা সফলতাব বাটত আগ বাঢ়িবলৈ সুবিধা পাব। সেই হিচাপে, কব নোৱাবি, এনে এদিন আহিব পাবে যিদিনা অসমীয়া বিহু উৎসব গোটেই ভাবতব সকলো ধর্ম্ম আক সম্প্রদায়ব মানুহব মাজত প্রসাব লাভ কবি ভাবতীয় জাতীয় উৎসব ৰূপে পবিগণিত হোৱা অসম্ভব নহব। অসমীয়াব অতীত গৌবব আক সভ্যতাব ফালে লক্ষ্য কবিলে এনে আশা কেবল সপোনব সুখকব কল্পনা বুলি হাহি উবাই দিয়া নাযায়; বৰং ভাবতব ভবিষ্যৎ অসমীয়াব ভবিষ্যতব ওপবতে আক অসমীয়া আগবাঢ়ি নোলালে ভাবতব অগ্রগতি দ্রুত হব নোৱাবে, এনেবিলাক কথাব সার্থকতাহে উপলব্ধি হয়। এনে ভাব কথাকে সিদিনা শ্রীযুত তৰুণ বাম ফুকন ডাঙবীয়াই কৈছিল যে ভাবতব যেনেকৈ জগতব ভিতবত বিশিষ্টতা আছে, ভাবতবাসীয়ে যেনেকৈ আন জাতিক কিবা দিব আছে, ভাবতব ভিতবতো তেনেকৈ অসমব বিচিত্রতা, বিশিষ্টতা আছে আক অসমীয়াই ভাবতবাসীক দিবলৈ আছে। এই দিয়াব ওপবতে অসমীয়া জাতিব সার্থকতা। আজিব অসমীয়াই এই দিবলৈ আগবঢ়াব আগেয়ে তাক নিজ ভবালগলৈ লাগিব। শেষপ্রায় ভবালেবে দীনকার্য্য হওক ছাবি নিজকে নাটিলে দীনব ডাঙব কথা বা কল্পনাও বিবঘনা। সেই নিমিত্তে অসমীয়াব কি ব্যক্তিগত, কি সমষ্টিগত সকলো জীৱনতে মহত্ত্ব, বৈশিষ্ট্য ফুটাই তুলিবলৈ চেষ্টা হব লাগে। বিহুব বৈশিষ্ট্যপূর্ণ জাতীয় আনন্দ উৎসবে অসমীয়াব আগবাঢ়ি ওলাবব চিন, সন্দেহ নাই।

ভাবতীয় ব্যবস্থাপবিষদত ববলাট লর্ড বিলিংডনব বক্তৃতা

যোৱা ২৫ জানুৱাবী তাবিখে ভাবতীয় ব্যবস্থাপবিষদব উদ্বোধনী বক্তৃতাৰ সময়ত ববলাট লর্ড ৰিলিংডনে বক্তৃতা দিছিল। তাত বাজনৈতিক অৱস্থা সম্বন্ধে নানা কথাব উল্লেখ কবি তেওঁ কৈছিল "কংগ্রেচ স্ব-ইচ্ছাত মিটমাটব বাট বন্ধ নকবালৈকে মই বা মোব গভর্ণমেণ্টে সেই বাটব পবা ওভোটা নাই বুলি মই মনে কবোঁ। কোনো গভর্ণমেণ্টে এনে স্পর্দ্ধাব আহ্বানলৈ সাজু হবলৈ ইতস্ততঃ কবিব নোৱাবে। জনসাধাবণ নাইবা যিসকল আইন অমান্য কবাব পক্ষপাতী তেওঁলোকব ভুল ধাবণা হবব একো কাবণ নাই। এই বিষয়ে কোনো মিটমাট হব নোৱাবে। বিশেষ ক্ষমতাব ব্যবহাব যাতে নহয় তাব নিমিত্তে গবর্ণমেণ্টে যেনেকৈ আৱশ্যকীয় সকলো ব্যবস্থা অৱলম্বন কবিব, তেনেকৈ আইন অমান্য আন্দোলন দমন কবিবলৈ এতিয়া যিবিলাক ব্যবস্থা আছে, যেতিয়ালৈকে সেইবিলাক ব্যবস্থাব অনুৰূপ কাৰণ থাকিব, তেতিয়ালৈকে সেইবিলাক ব্যবস্থা চিলা কবি দিয়া নহব।

এ, এচ, এল ক্লাবব উদ্যোগত কলিকতাত মাঘ বিহু

যোৱা ৩ মাঘ দেওবাবে কলিকতাপ্রবাসী অসমীয়া প্রায় সকলো লবা-ছোৱালী, পুৰুষ-মহিলাই শিৰপুৰ বোটানিক গার্ডেনত মাঘ বিহু উৎসব উপলক্ষে গোট খাইছিল। বিদেশব এই বাবেবজুৱা ঠাইত অসমীয়াব এই মিলন অপূর্ব্ব আক আনন্দে নববা কথা। কোনো অপবিহার্য্য কাবণ নাথাকিলে এনে অনুষ্ঠানব পবা সিদিনা কোনো আতবি থাকিব নোৱাবে। সেই নিমিত্তে এই দিন কলিকতাপ্রবাসীব পক্ষে বৰ আগ্রহব দিন। এই বাৰ ক্লাবব কার্য্যকবী সমিতিব সভ্যসকল আক বিশেষকৈ সম্পাদক শ্রীযুত মধুসূদন দাস, বি-এ ডাঙবীয়াব উৎসাহ আক চেষ্টাত এই মিলন-উৎসবত যোগদান কবোতাৰ সংখ্যা আশাধ্যাগী হৈছিল। এনেকি তেওঁলোকব তৎপবতাৰ গুণত কলিকতাৰ দুবিব অহা অসমব মন্ত্রী বায় শ্রীযুত কনকলাল বৰুৱা বাহাদুব আক শ্রীযুত সর্ব্বেশ্বৰ শর্ম্মা কটকী আদি কবি বিশিষ্ট অসমীয়া কেজনমানক পাই সিদিনাৰ উৎসবত আনন্দব সীমা নাইকিয়া হৈছিল।

এই বিহু উৎসবব বিশেষত্ব আছে। আজি দুবছৰব পৰাই ইয়াব অনুষ্ঠিত খেলবিলাকত অকল ডেকাসকলে নহয় ছোৱালী বিলাকেও যোগ দিয়ে। ছোৱালী বিলাকেও প্রতিযোগিতাত যোগ দি পুৰস্কাৰ পায়। দেশব পক্ষে ই এটা শুভ লক্ষণ। আকৌ ইয়াত যি প্রীতি-ভোজন হয় সিও চাবলগীয়া।

এনেকে এনে অনুষ্ঠানব সুযোগত বিদেশত থোৱা মিলা কথা-বতবা আদিবে প্রবাসত সকলোখিনি এক

দেশবাসীৰ মাজত চিনা-জনা হোৱা আৰু ঘনিষ্টতা বঢ়াৰ বাহিৰেও নিজ জাতীয়তাৰ ভাব বহুতখিনি কাৰ্য্যকৰী হয়। কলিকতাৰ এই জাতীয় উৎসবৰ প্ৰভাব এদিন সকলো প্ৰবাসী অসমীয়াৰে ওপৰত পৰিব আৰু ই সকলো ঠাইৰে প্ৰবাসী অসমীয়াৰ অনুকৰণৰ বস্তু হব বুলি আশা কৰিব পাৰি।

আন সকলো ফালেদি এই বাৰৰ কলিকতাৰ বিহু উৎসৱ সম্পূৰ্ণ হৈছিল। কেৱল এইবাৰ আমাৰ গোৱালপাৰাৰ প্ৰায় সৰহখিনি অসমীয়া জমিদাৰ ইয়াত নথকাত তেওঁলোকৰ অভাৱ বৰকৈ অনুভৱ কৰা গৈছিল। জমিদাৰ শ্ৰীযুত কমলকৃষ্ণ চৌধুৰী ডাঙৰীয়া কলিকতাতে আছিল, তেওঁৰ উপস্থিতি সকলোৱে আশা কৰিছিল। কিন্তু এৰিব নোৱাৰা ঘৰুৱা জঞ্জালত তেওঁ যোগ দিব নোৱাৰিলে।

৫২৫২/অ:

প্ৰাদেশিকতা, জাতীয়তা আৰু সংকীৰ্ণতা

নিজ প্ৰতিষ্ঠা লাভৰ উদ্দেশ্যে সম্প্ৰতি অসমত এটা প্ৰাদেশিক ভাবৰ ঢৌৰ সৃষ্টি হোৱাত বহুতে সংকীৰ্ণতাৰ কাৰণ আৰোপ কৰিবলৈ সুবিধা বিচাৰিছে। সেইসকলে জনা উচিত প্ৰাদেশিকতা কি? প্ৰাদেশিকতা দোষৰ নে দোষহীন, বৰ্জ্জনীয় নে গ্ৰহণীয়? এই প্ৰাদেশিকতাৰ ব্যাখ্যা শ্ৰীযুত তৰুণৰাম ফুকন ডাঙৰীয়াই সিদিনা "অসমৰ বৰ্ত্তমান সমস্যা" সম্বন্ধে আলোচনা কৰোতে সুন্দৰকৈ কৰিছে। তেওঁৰ মতে ইয়াৰ প্ৰকৃত অৰ্থ বুজি নোপোৱাকৈ ইয়াক বেয়া বুলি দোষাৰোপ কৰা অনুচিত। দেশ হিচাপে ভাৰতৰ যেনেকৈ অভাৱ অভিযোগ আছে তেনেকৈ প্ৰদেশবিলাকৰো আছে। আৰু প্ৰতি মানুহৰ যেনেকৈ সুকীয়া বিশেষত্ব আছে প্ৰদেশবিলাকৰো তেনেকৈ নিজ নিজ অভাৱ আছে। যেতিয়া কোনো প্ৰদেশৰ বিশেষত্ব বা অভাৱ পূৰাবলৈ যোৱাত ভাৰতৰ স্বাৰ্থত আঘাত পৰে তেতিয়া নিশ্চয় প্ৰাদেশিকতা দোষণীয় আৰু বৰ্জ্জনীয়। কিন্তু যেতিয়া সেয়ে নহয় বৰং প্ৰাদেশিকতাৰ পোষকতা কৰিবলৈ গৈ, বা নিজ প্ৰদেশক উন্নত কৰিবৰ চেষ্টাত পক্ষান্তৰে ভাৰতৰ উন্নতিয়ে নিহিত থাকে, তেনেহলে প্ৰাদেশিকতা কেতিয়াও দোষণীয় নহয়, সি সম্পূৰ্ণৰূপে গ্ৰহণীয় হে। আৰু তেতিয়া প্ৰাদেশিকতা সংকীৰ্ণতা নহয়, ইয়ে আদৰ্শস্থানীয় জাতীয়তা। কোনো সমাজ নাইবা সমষ্টিৰ অস্তিত্ব বজায় ৰখাটো যেনেকৈ তাৰ প্ৰতি ব্যক্তিৰ সুকীয়া স্বাৰ্থৰ ওপৰত নিৰ্ভৰ কৰে, তেনেকৈ ভাৰতৰ স্বাৰ্থও প্ৰতিখন প্ৰদেশৰ স্বাৰ্থৰ ওপৰত নিৰ্ভৰ কৰে। সকলো মানুহে নিজ বিশেষত্ব লৈ জন্মগ্ৰহণ কৰে। নিজ বিশেষত্বপূৰ্ণ অভাৱ পূৰোৱা আত্মৰক্ষাহে—কোনেও তাক সঙ্কীৰ্ণতা বুলিব নোৱাৰে। তেনেকৈ অসমৰো আত্মৰক্ষা, আত্মপ্ৰতিষ্ঠা আৰু বিশেষত্ব পূৰণক কাৰো সংকীৰ্ণতা বুলিবৰ অধিকাৰ নাই। আমাৰ দেশৰ যি বিশেষত্ব তাক বজায় ৰাখিব নোৱাৰিলে, আমাৰ আত্মৰক্ষা অসম্ভৱ হব—আত্মপ্ৰতিষ্ঠা তো দূৰৰ কথা। কিন্তু আমাৰ উজ্জ্বল অতীত গৌৰৱে আমাক অকল আত্মৰক্ষা কৰি থাকিবলৈ নহয় ভাৰতত এনেকি জগতৰ ভিতৰত আত্মপ্ৰতিষ্ঠা কৰিবলৈকো সঙ্কেতে আহ্বান জনাইছে। এই আহ্বানত সংকীৰ্ণতাৰ স্থান ক'ত? আনফালে এই আহ্বানলৈ আগবঢ়াৰ বাটতে দেখোন ভাৰতো বৈ আছে।

প্ৰধান মন্ত্ৰীলৈ ৰবীন্দ্ৰনাথৰ টেলিগ্ৰাম

প্ৰধান মন্ত্ৰী, হোৱাইট হল, লণ্ডন।

মহাত্মাৰ গ্ৰেপ্তাৰৰ পিছৰপৰা ভাৰত গভৰ্ণমেণ্টে যি চাঞ্চল্যকৰ আৰু বেপৰোৱা দমননীতি চলাব লাগিছে তাত আমালোকৰ আৰু আপোনালোকৰ দেশবাসীৰ মাজত স্থায়ী আৰু দুখজনক বিচ্ছেদ ঘটাই তুলিছে আৰু আপোনালোকৰ প্ৰতিনিধি সকলৰ লগত শান্তিপূৰ্ণভাৱে ৰাজনৈতিক মিটমাটৰ বিষয়ে আমালোকৰ সহযোগিতা বৰ কষ্টকৰ কৰি তুলিছে।

বিশেষকৈ চাবলগীয়া—এই সংখ্যা আৱাহনৰ ৩৭৭ পিঠিৰ ১ম স্তম্ভৰ ১ম শাৰীৰ 'জলৰুহবদনং' আৰু ৩য় শাৰীৰ 'ঘনকুচ' শব্দ দুটা মুদ্ৰাকৰ-প্ৰমাদত 'জলহৰুবদনং' আৰু 'ঘনকুচু' হৈছে।—সঃ

১৩নং বৃন্দাবন মল্লিক লেন কামৰূপ প্ৰেছত শ্ৰীঅপূৰ্ব্ব কুমাৰ ভূঞা দ্বাৰা মুদ্ৰিত, ডাঃ দীননাথ শৰ্ম্মা দ্বাৰা প্ৰকাশিত।

৫২৫৩/আ:
১০. ৬. ৯৯

আৱাহন



সৰ্ব্বহাৰা

শিল্পী—শ্ৰীপ্ৰতাপচন্দ্ৰ বৰুৱা

Lakshmibilas Press, Ltd. Calcutta.

৫২৫৩/অ:



৩য় বছৰ ৫ম সংখ্যা | আৱাহন | ফাগুন ১৮৫৩ শক

সোণৰ অসম

—ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা

অসম দেশ আমাৰ মাতৃভূমি। শিশু-সন্তানে যেনেকৈ মাকৰ পিয়াহ পাই মাকৰ কোলাত ডাঙৰ-দীঘল হয়, আমিও তেনেকৈ আমাৰ দেশমাতৃৰ অন্ন-পানী, ফল-মূল, মাছ, মতাহ-বৰষুণ উপভোগ কৰি তেওঁৰ কোলাত ডাঙৰ-দীঘল হৈ সুখেৰে বাস কৰিছোঁ। অসমৰ মাটি, অসমৰ পানী, শস্য, গছ-লতা, এনেকি ঘাঁহ-বনবিলাকো আমাৰ প্ৰিয়। আমি এই দেশত উপজি এই দেশতে মৰিবলৈ বাঞ্ছা কৰোঁ। এই দেশত জন্মলাভ কৰি আমি আমাৰ জীৱন সাৰ্থক বুলি ভাবোঁ। আমি অসমীয়া বুলি জগতৰ আগত ঢিনাকি দি গৌৰৱ লাভ কৰোঁ। কিন্তু আমাৰ এই "স্বৰ্গতো অধিক জনমভূমিৰ" নাম আগেয়ে অসম নাছিল। আমাৰ দেশৰ নাম অসম হবৰ ৭০০ বছৰ হৈছে। এই "অসম" নামৰ উৎপত্তিৰ বিষয়ে নানা পণ্ডিতৰ নানা মত হলেও এইটো ঠিক যে আহোম-ৰাজত্বৰ দিনৰ পৰাহে এই দেশৰ নাম "অসমৰ দেশ" বা "অসম দেশ" হল। তাৰ পূৰ্ব্বে কোনেও এই দেশক "অসম" ক্ষুবুলিছিল। "শব্দ-ৰত্নাৱলী" আৰু "শব্দকল্পদ্ৰুম", নামে সংস্কৃত ভাষাৰ অভিধানত "অসমঃ" নামে এটা শব্দ আছে। সেই শব্দৰ অৰ্থ বৃদ্ধ বুলি তাত লিখা আছে। বৌদ্ধকো অসমঃ বোলা হৈছিল। আমাৰ দেশত ৰাজত্ব কৰা স্থানজাতীয়

আহোমসকল আদিতে বৌদ্ধ আছিল। উত্তৰ ব্ৰহ্মদেশৰ নাম আগেয়ে স্বৰ্ণভূমি আছিল। স্বৰ্ণভূমিত থকা মানুহক স্বান বোলা হৈছিল। আমাৰ দেশৰ উত্তৰ-পূবে থকা খাম্‌টি-বিলাকো স্বান্‌জাতিৰ মানুহ। খাম্‌টি-পৰ্ব্বত স্বৰ্ণভূমিৰে এটা অংশ। আহোম ভাষাত সোণক খাম্ বোলে আৰু মাটিক টি বোলে। খাম্‌টি বুলিলে স্বৰ্ণভূমি বুজায়, আৰু তাত থকা মানুহো বুজায়। কিন্তু খাম্‌টিবিলাকে নিজক "অস্বম্" বুলিহে চিনাকি দিয়ে। উত্তৰ ব্ৰহ্মৰ স্বান্‌বিলাকে নিজক "আস্বাম্" বা "আশ্যাম" বুলি কয়। "অহম" বা "আহোম" শব্দটো "অসম" বা "আসোম" শব্দৰ অপভ্ৰংশ। "স" উচ্চাৰণ কৰোঁতে আহোমে "হ" কোৱা সকলোৱে জানে। আমাৰ ভাষাৰ অনেক শব্দৰ শ, ষ, স, আহোমৰ দিনত হ হয়। যেনে—বিহ, পিয়াহ, পাহৰণ, হাঁহ, বাগীহ ইত্যাদি। আহোম বা অহমসকলক যে পূৰ্ব্ব অসম বোলা হৈছিল, সেইটো পুৰণি পুথি আদিৰ পৰাও জনা যায়। যেনে—

"ৰাম বুলি তৰে মিৰি অসম কচাৰি।"

অসমৰ উজনিখণ্ডক সৌমাৰপীঠ বোলে। এই "সৌমাৰ" শব্দটোৰ মূল কি? সংস্কৃত ভাষাত "সৌমেৰুকম্" বুলি এটা শব্দ আছে। তাৰ অৰ্থ সোণ আৰু সুমেৰু-সম্বন্ধীয় হয়। এই সৌমেৰুকম্ শব্দৰপৰা সৌমাৰ হব পাৰে। আকৌ সৌম্যৰাষ্ট্ৰ শব্দৰপৰা সৌম্যৰাট হৈ সৌমাৰ হব পাৰে। ভাস্কৰাচাৰ্য্যৰ পুথিত আমাৰ দেশৰ উজনি খণ্ডত সৌম্য নামে এখন ৰাজ্য থকাৰ কথা পোৱা যায়। সোম বা চন্দ্ৰবংশৰ লোকসকলক সৌম্য বা সোম বোলা হৈছিল। অত্ৰি ঋষিৰ পুতেকৰ নাম সোম, সোমৰ পুতেকৰ নাম বুধ, বুধৰ পুতেক পুৰূৰৱা। উৰ্ব্বশীৰ গৰ্ভত পুৰূৰৱাৰ ৬জন পুতেক হয়। তেওঁলোকৰপৰা ক্ৰমে চন্দ্ৰবংশৰ শাখা-প্ৰশাখা বাঢ়ি যায়। আদিকাণ্ড ৰামায়ণৰ ৩৫ অধ্যায়ৰপৰা জনা যায় যে ত্ৰেতাযুগত চন্দ্ৰবংশীয় অমূৰ্ত্তৰজঃ ৰাজাই ধৰ্ম্মাৰণ্যৰ সমীপত প্ৰাগ্‌জ্যোতিষপুৰ নগৰ স্থাপন কৰি তাত ৰাজত্ব কৰিছিল। তেওঁৰ ভায়েকৰ নাম আছিল কুশনাভ। বিশ্বামিত্ৰ ঋষি এই কুশনাভৰ নাতি। তিব্বতৰ কালৰ মানুহে ভূতস্থান বা ভোটানক ধৰ্ম্মাদেশ বোলে। ভোটানৰপৰা কামৰূপৰ উত্তৰকূললৈকে এই ভূমিখণ্ডকে ধৰ্ম্মাৰণ্য বোলা হৈছিল। এনে হব পাৰে যে কোনো ৰাজনৈতিক বিপ্লৱত অমূৰ্ত্তৰজঃ ৰাজাৰ বংশধৰ সকলে প্ৰাগ্‌জ্যোতিষৰপৰা খেদা খাই উজনি অসমত হিমালয়ৰ দাঁতিত সৌম্যৰাষ্ট্ৰ বা সৌম্যৰাজ্য স্থাপন কৰি তাত ৰাজত্ব কৰিছিল। দিক্‌ৰং নৈৰ পাৰত দফলা পৰ্ব্বতৰ দাঁতিত হাৰমতি নামে এখন পুৰণি নগৰৰ ভগ্নাংৱশেষ আছে। তাত হুনু চন্দ্ৰবংশীয় হৰবিন্দ ৰাজাই ৰাজত্ব কৰিছিল। তেওঁৰ ভনীয়েকৰ নাম হাৰমতি আছিল।

বৈদিক যুগত "দেৱতা" নামধাৰী আৰ্য্যসকল মেৰুত অৰ্থাৎ পৰ্ব্বত-পাহাড়ৰ ওপৰত ঘৰ সাজি বাস কৰিছিল। হিমালয়ৰ পূৰ্ব্বাংশৰ নাম এসময়ত সুমেৰু আছিল বুলি বোধ হয়। কাৰণ, হাজোৰ হয়গ্ৰীৱৰ পূজাৰ মন্ত্ৰত—"সুমেৰোশ্চ পাদপীঠে পদ্মকল্পিত মানসম্" এই কথাষাৰ পোৱা যায়। অসমৰ উজনিখণ্ড সুমেৰুৰ পদতলত থকাৰ নিমিত্তে সুমেৰু-সম্বন্ধীয় হোৱাত সেই খণ্ডৰ নাম সৌমাৰ হব পাৰে।

উজনি অসমৰ উত্তৰ কূলৰ প্ৰায় সকলো নদীতে আগৰ দিনত মানুহে সোণ কমাইছিল। সোণৰ নিমিত্তে অসম প্ৰসিদ্ধ আছিল। অতীজত ভূতস্থান বা ভোটান অসমৰ ভিতৰত আছিল। ভোটানত সোণৰ আৰু তামৰ খনি আছিল বুলি জনা যায়। আমাৰ দেশৰ মানুহে এতিয়াও "ভোটৰ সোণ" কোৱা শুনা যায়। এই দেশত লো তৈয়াৰ হৈছিল। চীনদেশৰ মানুহৰ বিশ্বাস যে বাৰুদ প্ৰথমতে অসমত আবিষ্কাৰ হৈছিল। বাবু নন্দলাল দে, এম-এ, বি-এল প্ৰণীত The Geographical Dictionary of Ancient India (প্ৰাচীন ভাৰতৰ ভূ-পৰিচায়ক অভিধান) পুথিৰ ১২৭ পিঠিত লিখা আছে—

"MATANGA—A country to the south-east of Kamarupa in Assam, celebrated for its diamond mines (Yukti-Kalpataru, page 96)."

অৰ্থাৎ অসম-কামৰূপৰ দক্ষিণ-পূবে থকা মাতঙ্গ নামে

ঠাইখন হীৰাৰ খনিৰ নিমিত্তে বিখ্যাত আছিল বুলি "যুক্তিকল্পতৰু" পুথিৰ ৯৬ পিঠিত লিখা আছে।

নাগমাটি বা কয়লা, মাটিতেল বা কেৰাছিন তেল, শিলচুণ, বালিচন্দা আদিৰ খনিও অসমত আছে। য'ত নাগমাটি পোৱা যায় তাতে অনেক সময়ত হীৰাও পোৱা যায়। অসমৰ পূব-দক্ষিণে থকা নাগলোক বা নগাপৰ্ব্বতত নাগমাটিৰ খনি আছে। মাতঙ্গ বোলা ঠাইখন এই নগা পৰ্ব্বতত হব পায়।

অসমৰ মাটি অতিশয় উৰ্ব্বৰা। ইয়াত মানুহৰ জীৱন ধাৰণৰ লাগতিয়াল সকলো প্ৰকাৰৰ শস্য আৰু ফলৱন্ত গছলতা জন্মে; ইয়াৰ অৰণ্যত শাল, সোণাৰু, কহিৰ, নাহৰ, সৰল, পদ্ম আদি মূল্যবান গছ পোৱা যায়। ইয়াৰ পৰ্ব্বতত অগৰু আৰু চন্দনৰ গছ আছে। ইয়াৰ মৃগনাভি নেপাল, কাশ্মীৰ আদি দেশৰ মৃগনাভিতকৈ উৎকৃষ্ট বুলি শাস্ত্ৰত লিখা আছে।

অসমৰ প্ৰাকৃতিক দৃশ্য এনে মনোৰম যে ইয়াক প্ৰকৃতিৰ কাম্যকানন নুবুলি নোৱাৰি। অতীজত এই দেশৰ পশ্চিমে এখন সাগৰ আছিল। গোৱালপাৰা জিলাৰ পশ্চিমাংশ, সুৰমা উপত্যকাৰ কিছু অংশ আৰু প্ৰায় গোটেইখন বঙ্গদেশ সেই সাগৰৰ গৰ্ভত আছিল। গাৰো পৰ্ব্বত সেই সাগৰৰে এটা উপদ্বীপ আছিল। তেতিয়া এই দেশ অতিশয় স্বাস্থ্যকৰ আছিল। এইবিলাক কাৰণত আগৰ দিনৰ মানুহে এই দেশক "সোণৰ অসম" বুলিছিল। এতিয়াও বুঢ়া মানুহৰ মুখত শুনা যায়—

"সোণৰ অসম দেশ,
মানে কৰিলে শেষ,
লেংটি মৰা বঙ্গালে আহি তাৰো কৰিলে শেষ।"

আহোমসকলেও এই দেশক "সোণৰ বাগিচা," "সোণৰ সঁফুৰা" বুলিছিল। আহোম ৰাজাসকলে নিজক "সৌমাৰেশ্বৰ" বুলি চিনাকি দিছিল। যদি স্বৰ্ণ বুজুৱা "সৌমেৰুকম্" শব্দৰ পৰা "সৌমাৰ" শব্দৰ উৎপত্তি ধৰা যায়, তেন্তে "সৌমাৰ" বুলিলে সোণৰ দেশ বুজিব লাগিব। ভাবি চালে আমাৰ দেশক "সোণৰ অসম" বুলিবলৈ যথেষ্ট কাৰণ আছে। সি যি নহওক, সৌমাৰৰ মানুহকে সৌম্য বা সোম বোলা হৈছিল। যেতিয়া চুকাফা স্বৰ্গদেৱে সৌমাৰপীঠ অধিকাৰ কৰে, তেতিয়া সৌমাৰৰ মানুহে তেওঁক আৰু তেওঁৰ লগৰ লোকবিলাকক আসোম বা অসম বুলিব পাৰে। তেওঁলোক সোমবংশীয় বা সৌমাৰৰ আদিবাসী নোহোৱা বাবে "আসোম," আৰু বৌদ্ধ বাবে "অসম" নামে অভিহিত হব পাৰে।

মুছলমান বুৰঞ্জীলিখকসকলে এই দেশক "অসমৰ দেশ" বা "অসম" বুলিছিল। ইংৰাজ গভৰ্ণমেণ্টে প্ৰথমে এই দেশ লওঁতে ইয়াৰ নাম ASAM (অসম) বুলিহে কাকতে-পত্ৰই লিখা দেখা গৈছিল; পাছতহে ASAM (অসম) নিলিখি ASSAM (আসাম) লিখিবলৈ ধৰিলে। ইংৰাজীত ত্ৰিপুৰাক Tippera, বৰ্দ্ধমানক Burdwan, ঢাকাক Dacca, কলিকতাক Calcutta ইত্যাদি বিকৃতৰূপে লিখিলেও আমাৰ মানুহে সেই বিকৃতভাৱে কলিকতাক কেল্‌কাট্টা বা ঢাকাক ডেক্কা নকয়। সেইদৰে ইংৰাজে অসমক আসাম বুলিলেও আমি অসম লিখাহে উচিত।

অসম বা অহমসকলৰ ৰাজত্বত যে এই দেশৰ নাম অসম হ'ল সেই কথা ইতিহাসতো পোৱা যায়। মাৰ্ছডেন্ চাহাবৰ ভাৰতৰ ইতিহাসত লিখা আছে—

"In much later times, about 700 years ago, other Mongoloid tribes, known as Ahoms, came into Assam, and gave their name to the country, for the word 'Asam' (now Assam) is another form of 'Ahom'". —Marsden's History of India for Senior classes, Pt. I. page 30.

স্বৰ্গীয় ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰৰ "আসাম বুৰঞ্জীৰ" ১৩ পিঠিত লিখা আছে—

"এই দেশৰ নামৰ যিবিলাক অন্বয়ৰ কথা লেখা গল, সেই সকলোবিলাকৰ পক্ষে যে যুক্তি নাই এনে বোলা টান। কিন্তু অহম বা আহোম শব্দৰ পৰাই যে অসম নামৰ উৎপত্তি হৈছে এইটোহে নিশ্চয় অনুমান হয়।"

এজন মুছলমান ঐতিহাসিকে এই দেশৰ প্ৰাকৃতিক সৌন্দৰ্য্যত মুগ্ধ হৈ ইয়াক হুহু "আস্মান্" অৰ্থাৎ স্বৰ্গ বুলিছিল। সেই কথা সঁচা হলেও "আস্মান্" শব্দৰ পৰা আসাম হৈছে বুলি বিশ্বাস নহয়।

"অসম" লিলিখি "আসাম" লিখিলে আমি "অসমীয়া" শুচি "আসামীয়া" হ'ব লাগিব। বঙ্গালীয়ে আমাক "আসামী" পাতিছেই।

লঙ্কাৰ ৰাৱণে দিগ্বিজয়ত ঘুৰোঁতে বসাতলত কালকেয় দৈত্যবিলাক থকা অশ্বনগৰ পাই সেই দৈত্যবিলাকক বধ কৰাৰ কথা উত্তৰাকাণ্ড ৰামায়ণৰ ২৩ স্বৰ্গত পোৱা যায়। সেই "অশ্বনগৰৰ" পৰা "অসম" নামৰ উৎপত্তি হোৱা বুলি কোনো কোনোৱে অনুমান কৰিলেও সেইটো অসম্ভৱ যেন লাগে।

ছশবছৰীয়া অহম ৰাজত্বৰ অমৰ কীৰ্ত্তিস্বৰূপে আমাৰ দেশে "অসম" নামৰ মুকুট পিন্ধি জগতত জনাজাত হল। কালত অহম জাতিৰ অজ্ঞাত কীৰ্ত্তিকলাপ লোপ পালেও "অসম" নামেই তেওঁলোকক চিৰস্মৰণীয় কৰি ৰাখিব।

আমি এতিয়া আমাৰ মৰমৰ জন্মভূমিৰ যি নাম পাইছোঁ, তাকে মুৰ পৌৰাই সাদৰে গ্ৰহণ কৰিছোঁ। নামৰ পৰিবৰ্ত্তনৰ পৰা বিশেষ একো হানি নাই। গোলাপ ফুলক যদি অমি গোলাপ নুবুলি আন এটা নাম দিওঁ, তেন্তে গোলাপৰ সুগন্ধত কিবা ব্যতিক্ৰম ঘটিব নে? আৰ্য্য আৰু অনাৰ্য্যৰ সংমিশ্ৰণত অনেক জাতি আৰু উপজাতি মিলি বৰ্ত্তমান অসমীয়া জাতি গঠিত হৈছে। আমাৰ দেশৰ High-lander বা পৰ্ব্বতীয়া লোকসকল আৰু Low-lander বা ভৈয়ামৰ লোকসকল, হিন্দু, মুছলমান, বৌদ্ধ, খ্ৰীষ্টিয়ান, জড়োপাসক সকলোবোৰ আমাৰ বুকুৰ বান্ধৰ অসমীয়া। পুৰণি কালত কামৰূপীয়া মানে যেনেকৈ ভাটী আৰু উজনিৰে সৈতে গোটেই কামৰূপ ৰাজ্যৰ মানুহক বুজাইছিল, অসমীয়া বুলিলেও সেইদৰে এতিয়া স্বৰ্গকোষৰ পৰা সদিয়াৰ পৰশুৰাম কুণ্ডলৈকে এই গোটেই দেশখনৰ মানুহক বুজায়। অসমক সকলো প্ৰকাৰে অসমা বা অতুলনীয়া কৰিবলৈ চেষ্টা কৰা প্ৰত্যেক অসমীয়াৰ কৰ্ত্তব্য। সকলো অসমীয়াই মুঠ বান্ধি একতা সূত্ৰত আবদ্ধ হৈ সমবেত চেষ্টা কৰিলেহে আমাৰ উন্নতি হব। জাতীয় উন্নতিৰ নিমিত্তে লাগে স্বদেশানুৰাগ আৰু স্বজাতি-প্ৰেম; লাগে জাতিৰ বিশিষ্টতাৰ সন্ধান আৰু সেই বিশিষ্টতাক ফুলাই তুলিবলৈ একান্ত চেষ্টা।

এখন দেশৰ সকলো মানুহ একভাষাভাষী নহলে জাতীয়তা গঠন কৰা টান হয়। আমেৰিকাৰ সম্মিলিত ৰাজ্যত (United States of America) ইউৰোপৰ নানা দেশৰ নানা সম্প্ৰদায়ৰ মানুহে গৈ উপনিবেশ স্থাপন কৰিছিল। কিন্তু তাৰ অধিকাংশৰ ভাষা ইংৰাজী হোৱাত, বাকীবিলাকেও ইংৰাজী ভাষাকে গ্ৰহণ কৰি সকলোটি মিলি একদেশী, একবেশী, এক ভাষাজাতী হৈ এটা প্ৰবল প্ৰতাপী জাতি গঠন কৰি পেলালে। আমাৰ দেশৰ সমূলত থকা মিৰি, মিকিৰ আৰু নগাই অসমীয়া ভাষা লৈছে। অন্যান্য পৰ্ব্বতীয়া জাতিবিলাকৰ ভিতৰতো অসমীয়া ভাষা আৰু সাহিত্যৰ তিতবেদি ধৰ্ম্ম আৰু জ্ঞান বিলাব লাগিব। সিহঁতক আমাৰ আগেন কৰিব লাগিব। অসমীয়া ভাষা আৰু সাহিত্যৰ ওপৰত আমাৰ জাতীয় উন্নতি থাইকৈ নিৰ্ভৰ কৰিছে। আমাৰ ভাষা, সাহিত্য, ইতিহাস, নৃ-তত্ত্ব, সমাজ-তত্ত্ব প্ৰভৃতি বিষয় সকলো অসমীয়াৰ, বিশেষকৈ আগলৈ উঠি অহা শিক্ষিত ডেকাসকলৰ আলোচনাৰ বিষয় হব লাগে। বিশ্বব্ৰহ্মাণ্ড বুজিবলৈ হলে এখন নিৰ্দ্দিষ্ট সীমাবদ্ধ ঠাইত প্ৰথমে হাত দিব লাগিব। বুৰঞ্জি ওচৰ কৰিবৰ উপায় হৈছে ওচৰৰ পৰা ক্ৰমে দূৰলৈ যোৱা। নিজৰ ভিতৰত এটা স্বাতন্ত্ৰ্যবোধ অনুভূতি নহলে শক্তিৰ যথাৰ্থ বিকাশ হব নোৱাৰে। এই শক্তি কোনো এজাৰে বিকশিত হবলৈ আৰম্ভ কৰিলেই সি সকলো দিনেই ক্ৰমে বিকশিত হব। পৰ্ব্বতৰ ক্ষুদ্ৰ উহ বা নিজবাৰ পৰাহে নৈৰ উৎপত্তি হয়। বিশ্বৰ কথা বা ভাবতৰ কথা ভবাৰ আগেয়ে আমাৰ নিজৰ মাতৃভূমিৰ কথা ভাবিব লাগিব। আগেয়ে নিজৰ ক্ষুদ্ৰ নিজবাক বৰ নৈৰ নিচিনা বেগৱতী কৰিব পাবিলে নিজবাই নিজেই গৈ সাগৰৰ লগত মিলিব পাবিব। আমাৰ সকলো শক্তি স্বদেশ আৰু স্বজাতিৰ সেৱাত লগাব লাগিব। শক্তিৰ কাম সৃষ্টি কৰা, বিনাশ কৰা নহয়। যাৰ শক্তি আছে, তেওঁলৈ কালো আছে; যাৰ প্ৰীতি আছে, তেওঁলৈ সেৱাৰ পাজও আছে। সকট হৈ হে সংসাৰত সবকিব পাবি। ভেম আৰু অহংকাৰেৰ উন্নতি কৰিব নোৱাৰি। সেৱক হৈহে নায়ক হব পাবি। শক্তিৰ চৰ্চ্চা মানে স্বাধীনতা। স্বাধীনতাই আনন্দ।

পানী-মাটিৰ কথা

গল্প—

—শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা

আসাম-বেঙ্গল বেলত উঠি গুৱাহাটী পালোঁগৈ। গুৱাহাটীৰ পৰা ডিব্ৰুলৈ জাহাজত (ডাক-জাহাজ নহয়, মাল-জাহাজত) ব্ৰহ্মপুত্ৰৰ হাৱা খাই আহোঁ বুলি গধূলি বিছনাখনত চুটকেছটো লৈ উঠিলোঁ। মোৰ সৌভাগ্যৰ কাৰণেই বা দুৰ্ভাগ্যৰ কাৰণেই প্ৰথম শ্ৰেণীৰ কেবিন কেইটাত আৰু কোনো নাছিল। এটা কেবিনত একমাত্ৰ মই। দ্বিতীয় শ্ৰেণী তৃতীয় শ্ৰেণীতো যাত্ৰীৰ সংখ্যা নিচেই কম। আমি উঠা জাহাজখন মাল-জাহাজ বাবেই উজনিমুহা হৈ খুব লাহে-লাহে চলিছে। ডাক-জাহাজৰ এদিনৰ বাটত দুদিন লৈছে। সেইদৰে ঘাটবিলাকতো মাল তোলোঁতে নমাওঁতে দুঘণ্টা তিনি ঘণ্টাকৈ বৈ আহিছে। প্ৰথম দুদিন, মানুহৰ হাই-উকমিৰ পৰা আঁতৰি, বিশাল ব্ৰহ্মপুত্ৰৰ বুকুত অকলশৰে থাকিব সুখ লাগিছিল। তৃতীয় দিনৰ পৰা সেই সুখত আমনি লাগিবলৈ ধৰিলে। প্ৰথম শ্ৰেণীৰ যাত্ৰী হৈও, তৃতীয় শ্ৰেণীত মানুহ লগ পাম বুলি সবহভাগ সময় তৃতীয় শ্ৰেণীৰ "ডেকত" ঘুৰি ফুৰোঁহি—যাবে তাবে লগত হোৱাই নোহোৱাই কথা পাতি সময় কটাওঁহি।

তৃতীয় দিনা বাতি এঘাৰ বজাত আমাৰ জাহাজখন তেজপুৰ ঘাটত লাগিলহি। তেতিয়া, থাই-মেলি মোৰ কেবিনৰ ভিতৰত সোমাই শুবলৈ ললোঁ।

পাছদিনা পুৱা প্ৰায় সাত বজাত জাহাজৰ খালাছিৰ চিঞৰ-বাখৰত মোৰ টোপনি ভাগিল। বিছনাৰপৰা উঠি হাতমুখ ধুই ডেকলৈ ওলাই দেখো, আমি তেতিয়াও তেজপুৰ ঘাটতেই। এইমাত্ৰ খালাছিহঁতে জাহাজৰ লঙ্গৰ তুলি জাহাজ এখিয়ে। গোটেই বাতি তেজপুৰ ঘাটতেই থাকিলোঁ। সমুখৰ ডেকৰ মুখনীয়া মেজখনৰ ওচৰে হাতত কিতাপ এখন লৈ বহিলোঁহি, এনেতে জাহাজৰ বাটলাবটোৱে মোৰ আগত চাহ-কটী দিলেহি। আগত কিতাপখন মেলি লৈ এবাৰ কিতাপলৈ, এবাৰ উষা নগৰীৰ সৌন্দৰ্য্যলৈ চাই চাই, এশোহা-এশোহাকৈ চাহ খাবলৈ ধৰিছোঁ। এনেতে, ইঁহাতিৰ কেবিনটোৰপৰা এগৰাকী সৌম্যমূৰ্ত্তিৰ বয়সীয়া তিৱোতাই লগতে ষোল-সোতৰবছৰীয়া ছোৱালী এটী লৈ মই বহা মেজখনতে চকী দুখন টান মাৰি বহিলেহি। তেওঁবিলাকৰ আগতো ততালিকে বাটলাবে চাহ-কটী দিলেহি ফলস্বৰূপে তেওঁবিলাকক হঠাৎ দেখি মই আচৰিত হৈছিলোঁ। কিন্তু ততালিকে নিজেই বুজি উঠিলোঁ, বাতি মই কেবিনত সোমাই শুই থাকোঁতে কোনোবা সময়ত এওঁবিলাক তেজপুৰ ঘাটত উঠিলেহি। এবাৰ মুখ দাঙি চাই বুজিলোঁ, এওঁবিলাক সাজ-পাবত উচ্চ-শিক্ষিতা বঙ্গালী। আকৌ মই মোৰ কাম চাহ খোৱা আৰু কিতাপ চোৱাত লাগি গলোঁ। তেওঁবিলাক দুয়োজে মাজে মাজে দুটা এটা কথা কৈ চাহ খাবলৈ ধৰিলে।

* * * *

এইটো আমাৰ অসমীয়া মানুহবেই দস্তৰ নে, নাই মোবেই হে দস্তৰ কব নোৱাৰোঁ, সাধাৰণতে অচিনাকি মানুহে আগধৰি কোনো কথা মুখুৱলিলে বা নামাতিলে মই কেতিয়াও কাকো আগধৰি নামাওঁ। এনে ঘটনাত পৰি কেতিয়াবা কেতিয়াবা দিনেই এদিন বেল বা জাহাজত একেলগে বহিও আনজনক নমতাকৈ নামি আহিছোঁ। এইবাবে কেতিয়াবা কেতিয়াবা মোৰ কলিকতাত থকা বন্ধুসকলৰ পৰা গঞ্জনাও সহিব লগীয়া হৈছে। তেওঁবিলাকে কয়, মোৰ হেনো শিকিবলৈ বহুত আছে। কিন্তু দুৰ্ভাগ্যবশতঃ এই উচ্চ

শিক্ষা আজিলৈকে মোৰ শিকা নহল। আজিও মোৰ সেই দশা। একেখন মেজতে বহি চাহ খাইছোঁ, কিন্তু মোৰ অভ্যাসবশতঃ মাত-বোল দিব পৰা নাই। কেৱল, কলিকতীয়া বন্ধুসকলৰ সেই গঞ্জনা মনত পৰি মনে মনে ভাবিছোঁ মোৰ এই শিক্ষা নহবই নে কি? এই তিৰোতা দুগৰাকীয়ে চাগৈ মোক ধৰি লৈছে, মই এটা "মস্ত" অশিক্ষিত মানুহ! অবাক্ হৈ সন্মুখৰ ব্ৰহ্মপুত্ৰৰ ঢৌলৈ একোবাৰ চাইছোঁ, আৰু এনেয়ে অৰ্থ নোহোৱাকৈ একোবাৰ কিতাপখন পঢ়িছোঁ। সেই সময়ত তেওঁবিলাকে মোক লৈ কিবা ভাবিছিল নে নাই মোলৈ চাইছিল, মই একোকেই কব নোৱাৰোঁ। মই মাথোন মোৰ কলিকতীয়া বন্ধুসকলৰ আক্ৰমণপূৰ্ব্ব কথাবিলাক ভাবি ভাবি, কেনেকৈ নো আগধৰি মাতিব পাৰোঁ, তাকে ভাবি ভাবি ভাবতে তন্ময় হৈ আছোঁ।

* * * *

এনেতে গাভৰুটীৰ মুখত বঙালীৰে কোৱা শুনিলোঁ, "মানুহজন কলা নে কি?" কথা কেইষাৰ কাণত পৰাত হঠাৎ তেওঁবিলাকলৈ ঘূৰি চালোঁ। মোৰ চকু অকস্মাতে গাভৰুৰ চকুযুৰিত পৰিল। গাভৰুটীৰ মুখখনি ৰঙা পৰি উঠিল। বৃদ্ধাগৰাকীয়ে মোক সম্বোধন কৰি কলে, "আপুনি কিমান দূৰলৈ যাব?"

"ডিব্ৰুগড়লৈ যাম। আপোনালোক নো কিমান দূৰ যাব?" বুলি সুধিলোঁ।

বৃদ্ধাগৰাকীয়ে একাষাৰতে উত্তৰ দিলে "ডিব্ৰুগড়লৈ" বুলি।

এনেতে গাভৰুগৰাকীয়ে "মা, মোৰ মূৰ ঘূৰাইছে।" বুলি তেওঁবিলাকৰ কেবিনলৈ উঠি গল। অলপ পিছতে বৃদ্ধাগৰাকীও উঠি গল।

কিছু সময় অকলশৰে থাকি ময়ো মোৰ কেবিনত সোমালোঁ।

"বাথ-ৰুমত" গা-পা ধুই দুপৰীয়া বাৰ বজাত চাহ খোৱা মেজখনলৈ খাবলৈ বুলি ওলালোঁ। "ৰাইচ-কাৰি"ৰ থাল আহিল, খাবলৈ ধৰিলো। এইবাৰ অকলশৰে, সেই তিৰোতা দুগৰাকী এইবাৰ তাত খাবলৈ ওলাই নাহিল। ভাবিলো, তিৰোতা মানুহ, কিজানি কেবিনতেই খাব। তেতিয়া আমি বিহালীঘাট এৰিছো। খাই-বৈ অঁতাই "ইজি :চেয়াৰ" এখনত কলাঘুমটীয়া টোপনিত পৰি গ'লো।

* * * *

প্ৰায় আবেলি চাৰিমান বজাত মোৰ টোপনি ভাগিল। উঠি গৈ হাতমুখ ধুই ডেকৰ চকী এখন টানি বহিয়ে দেখিলো, জাহাজৰ ডাক্তৰজন সেই তিৰোতা থকা কেবিনৰ পৰা ওলাই আহিছে। তেওঁক তাৰপৰা ওলোৱা দেখি হঠাৎ সুধি পেলালো "তেওঁবিলাকৰ কাৰোবাৰ অসুখ নে কি?" মোৰ কথাষাৰ অন্ত হোৱাৰ লগে লগে সেই বৃদ্ধা গৰাকী কেবিনৰপৰা ওলাই আহি ডাক্তৰৰ লগত কথা পাতিছিল, তেৱেঁই উত্তৰ দিলে—"হয়, মোৰ ছোৱালীটী মূৰ ঘূৰাই অচেতন হৈ পৰি আছে। ঔষধ দিছো, একোৱেই হোৱা নাই। কি কৰা উচিত, একো বুজিব পৰা নাই।"

বৃদ্ধাগৰাকীৰ কথাত মই আৰু একো উত্তৰ নিদি মোৰ কেবিনৰপৰা উঠি গৈ সৰু "এটেচি বেগ"টো আনি বৃদ্ধাক সুধিলোহি—"তেখেতক এবাৰ মই চাবগৈ পাৰো নে?" বৃদ্ধাগৰাকীয়ে মোৰ চকুলৈ এবাৰ চালে আৰু উত্তৰ দিলে—"আহক।"

* * * *

তেওঁবিলাকৰ কেবিনত সোমাই অলপ সময় সেই গাভৰু গৰাকীৰ হৃদযন্ত্ৰ আদি পৰীক্ষা কৰি বুজিব পাৰিলো, অসুখ বিশেষ একো টান নহয়। কেৱল হঠাৎ চঁক্ খাই নিজৰ আলসুৱা মগজু চম্ভালিব নোৱাৰি এনেদৰে অচেতন হৈছে। মোৰ বেগটোৰপৰা আৱশ্যকীয় ঔষধ আদি উলিয়াই "ইন্‌জেক্‌শ্যন" এটা দি দিলো। কিন্তু, ঔষধ দিয়াৰ পিছত হে মোৰ জ্ঞান হৈছে যে মাকক মই চিকিৎসা কৰিবলৈ সুধিব লাগিছিল; কিন্তু মোৰ ভুলত সোধা নহল। মাকে মই কি চিকিৎসা কৰিছো, তাকে একান্তমনে চাই আছে। চকু কেইটিত মাতৃত্বৰ সকলো গুণ প্ৰকাশ পাইছে; বৰ আগ্ৰহেৰে মোলৈ চাই আছে।

মোৰ ঔষধৰ গুণত প্ৰায় গধূলি গাভৰুটীয়ে জ্ঞান

পালে। তেতিয়া অলপ জুলীয়া আহাৰ দি নীৰৱে শুবলৈ দিবলৈ কৈ, মোৰ কেবিনলৈ ওলাই আহিলো। মাকে মাথোন কলে—"বোপা! আপুনি যে ডাক্তৰ মই নাজানো। আকৌ এবাৰ খবৰ কৰিবহি। আপোনাৰ এই উপকাৰ মই কেতিয়াও নাপাহৰো।"

"ভাল, আৱশ্যক দেখিলে মোক মাতিব, মই আহিম। কিন্তু ভয় কৰিবৰ আৰু একো কাৰণ নাই। এতিয়া নীৰলে শুবলৈ দিয়ক।"

মাকৰ চকুত কৃতজ্ঞতাৰ জ্যোতি সকলোখিনি প্ৰকাশ পাইছিল।

* * * *

পাছদিনা পুৱা ৮ মান বজাত ডেকৰ ঘূৰণীয়া মেজখনত বহি চাহ খাবলৈ ধৰোতে বৃদ্ধাগৰাকী ওলাই আহি মোৰ ওচৰতে বহিল আৰু সুধিলে, জীয়েক তেতিয়া বহুতো সুস্থ, উঠি-মেলি বহিব পাৰিব নে নোৱাৰে।

"নিশ্চয়, ইয়ালৈকে আনক। মুকলিত বহি চাহ খাওকহি। ভয় কৰিবলৈ একো নাই।"—মই কলো।

জীয়েকক আনি দুয়ো মোৰ ওচৰতে বহিল। চাহ ৰুটী আহিল।

চাহ খাওঁতে বৃদ্ধাই মোক কথাই কথাই ধন্যবাদ দিছে; জীয়েকে মাথোন একো-একোবাৰ মোক কেৰাহিকৈ চাইছে আৰু সন্মুখৰ বিশাল ব্ৰহ্মপুত্ৰলৈ চকু দিছে। এনেতে জাহাজৰ ডাক্তৰবাবুজনে আহি সৰু সৰু নমস্কাৰ একোটি দি তেওঁৰ ৰোগী কি অৱস্থাত আছে খবৰ কৰিলে। ময়ে উত্তৰ দিলো, "ভয় নাই আৰু, সৌৱা ৰংমনে চাহ খাই খাই বিশাল ব্ৰহ্মপুত্ৰৰ সোণালী ঢৌৰ কবিতা উপভোগ কৰিছে। ডাক্তৰ থাকিলেহে বেমাৰ; ডাক্তৰ নাথাকিলে বেমাৰো নাথাকে!" মোৰ কথাত "কবিতা!" বুলি গাভৰুটীয়ে মাকৰ ফালে চাই মিচিক্-কৰে হাঁহিলে। ডাক্তৰবাবুৱে মাথোন এবাৰ মোৰ মুখলৈ, এবাৰ গাভৰুৰ মুখলৈ চাই বৃদ্ধাগৰাকীক কলে,—"মই নকৈছিলো, ব্ৰহ্মপুত্ৰৰ জুৰ হাৱা মূৰত লাগি লাহে লাহে আপুনি ভাল হব।" এই বুলি নমস্কাৰ এটি কৰি ডাক্তৰবাবু ঘূৰি ওলাই গল। আমি তেতিয়া ককিলামুখ ঘাটটো ৰিণি-ৰিণি দেখা পাইছোঁ।

* * * *

ইয়াৰ দুদিনৰ পিছত ডিব্ৰুগড় ঘাট পালোহি। ঘাট পায়ে আমি দিহাদিহি নিজ থকা ঠাইলৈ গলো। মই গ'লো ৰিহাবাৰীৰ শান্তিপাৰালৈ, বৃদ্ধা আৰু গাভৰু গ'ল পল্টন বাজাৰলৈ।

আমি ঘাটত উঠিছিলোঁ ৰাতিপুৱা। কিন্তু গধূলিতে নিমন্ত্ৰণ কৰা চিঠি এখন পালোঁ। চিঠিৰ তলত চহী আছিল ৰমণীমোহন বাবুৰ। এই ৰমণীমোহন বাবু মোৰ কলেজৰ বন্ধু। তেওঁ এতিয়া নামজলা উকিল, বক্তা আৰু নগৰৰ এজন বিখ্যাত লোক। আৰু নগৰৰ অসমীয়া বঙালী সকলোৱেই ৰমণীমোহন বাবুক এজন অমায়িক উচ্চমনা ব্ৰাহ্ম্য ভদ্ৰলোক বুলি সন্মান কৰে। নগৰৰ মিউনিচিপেলিটিৰ বোৰ্ডত যদিও বঙ্গালী অসমীয়াৰ দুটা দল আছে আৰু দুয়ো দলে ইটোৱে সিটোক ঠেলিবলৈ চেলু বিচাৰি ফুৰে তথাপি ৰমণীমোহন বাবু কোনো এটা দলতে বিশেষকৈ নাথাকে। যি সময়ত যিটো দলকে সত্য বুলি ভাবে, ৰমণীমোহন বাবু সেই দলতেই থাকে। এইবাবেই বোধকৰো, সেই বোৰ্ডৰ অসমীয়া ভোটাৰসকলে ভোট দি এই দুবাৰ তেখেতক বোৰ্ডলৈ পঠাইছে।

বন্ধুৰ নিমন্ত্ৰণ! বিশেষকৈ নগৰৰ সকলোৱে ভালপোৱা ৰমণীমোহন বাবুৰ নিমন্ত্ৰণ! এই কেইদিন দীঘলীয়া ভ্ৰমণৰ ভাগৰলৈও আওকাণ কৰি সন্ধ্যা লাগি ভগাত নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ ওলালো।

ৰমণীমোহন বাবুৰ চৰাঘৰত আৰু আঠ-দহজনমান তেখেতৰ বন্ধু আছিল। মোক দেখিয়েই তেখেতে উঠি আহি গবা মাৰি নি বন্ধুসকলক মোৰ চিনাকি দিলে। মই মাথোন কলোঁ—"ৰমণী বাবু! মই মনে মনে আহি ডিবৰুৰ এচুকত সোমাওঁতে তুমি মই অহা গম পালা কেনেকৈ? আৰু মোৰ প্ৰতি যে তোমাৰ ইমান সন্মান মই কেতিয়াও জনা নাছিলোঁ।"

—"তোমাৰ নিচিনা "বৰ-লোক" আহিলে এনেয়ে জন্‌জনাই যায়। আৰু এনে এজন "বৰলোকক" আটাইতকৈ আগধৰি অভ্যৰ্থনা কৰাৰ সুখ মোক লবলৈ দিব নোখোজা নে কি ?"

ৰমণীমোহন বাবুৰ "বৰলোকৰ" ব্যাখ্যা শুনি মই হো-হোকৈ হাঁহিবলৈ ধৰিলোঁ। লগতে তাত থকা সকলোৱেই হাঁহিৰ উজান তুলিলে।

অলপ সময় মই কিয় ডিব্ৰুলৈ আহিলো, কেইদিন থাকিম, ব্ৰাহ্মৰ ঘৰত নাথাকি হিন্দুৰ ঘৰত কিয় উঠিলো, হিন্দু মিতিৰে মোক ব্ৰাহ্ম বুলি ঘিণ কৰে নে আদৰ কৰে ইত্যাদি বাৰেভচহ কথা পাতি থাকোঁতে চাহ-জলপানৰ "ট্ৰে" আহিল। আমি সকলোৱে খাবলৈ চাহৰ ওচৰ চাপিলোঁ, এনেতে মোৰ সেই জাহাজৰ সহযাত্ৰী গাভৰুটীয়ে চেতাৰখন লৈ আমাৰ ওচৰতে বহিলহি। অলপ পিছতে বৃদ্ধাগৰাকীয়ে পাণৰ বটা এটা লৈ আহি মোৰ নিচেই ওচৰতে বহি কলে—"চাওক, ডাক্তৰ! আমাৰ এই ভগা কুটিৰলৈ আপোনাক লৰালৰিকৈ মাতি অনাত খং নকৰে যেন।"

গাভৰুটীলৈ চাই বৃদ্ধাই কলে—"তৰু! (তৰুবালা) ডাক্তৰক ভাল গান এটাৰে অভ্যৰ্থনা কৰ।"

গাভৰুৱে চেতাৰত ঠুংঠাং কৰিবলৈ ধৰিলে। মই ৰমণীমোহন বাবুৰ চকুলৈ চালোঁ।

মোৰ বোধকৰো পেটৰ কথা ধৰিব পাৰি টেঙৰ ৰমণীমোহন বাবুৱে ততালিকে মোলৈ চাই কলে—"ডাক্তৰ! (বৃদ্ধাগৰাকীলৈ) এখেত মোৰ মা, (গাভৰুটীলৈ) তাই মোৰ ভনী আৰু জাহাজত আহোঁতে মোৰ বিনা অনুমতিত তুমি এওঁবিলাকৰ ওপৰত ডাক্তৰ আৰু অভিভাৱকৰ কাম কৰি আহিলা! তাৰে দণ্ড এতিয়া তোমাক বিহা হ'ব। সম্প্ৰতি তৰুৰ গান এটা শুনা।"

গান গালে। আচৰিত কথা, বঙালী ছোৱালীয়ে "অ' মোৰ অসমী আই।" সেই অসমৰ বিখ্যাত জাতীয় গীতটি গালে। মই অবাক হৈ শুনিছোঁ।

ইয়াৰ পিছত আৰু দুটি গান শুনি খাবলৈ উঠা হ'ল।

* * * *

তাৰ পিছত আৰু ৪।৫ দিন ৰমণীমোহন বাবুৰ চ'ৰাত গধূলি চাহ আৰু গান উপভোগ কৰা হ'ল। এই কেই দিনতে সেই মোৰ জাহাজৰ লগৰীয়া বৃদ্ধাগৰাকী আৰু গাভৰুটী কথাই-বতৰাই মোৰ নিচেই আপোন যেন লাগি পৰিল। তেওঁবিলাকৰ সেই উদাৰ মৰমিয়াল ব্যৱহাৰত মই এজন তেওঁবিলাকৰ পৰিয়ালৰে আপোনাৰ জন হৈ পৰিলোঁ।

* * * *

ঘূৰি বছৰৰ কথা—তৰুৱে মোৰে বিয়া হৈ গৈছে। এদিন গধূলি গান গোৱা হ'লত তৰুৱে মোৰ হাতখনত ধৰি কলে—"ঈশ্বৰৰ কৰুণা নহয় নে? দাদাই বৰ ভয় কৰিছিল, কিজানি আমাৰ বিয়াখন নহয়। আপুনি বঙালীৰ নামত যিদৰে হে তিনি জাঁপ মাৰে, কিজানি বঙ্গালী ছোৱালীক ঘিণ কৰি বিয়াত মত নিদিয়েই। সচাকৈ কওকচোন, এতিয়াও ঘিণ কৰে নে? মোকো ঘিণ কৰে নে?"

তৰুৰ কথাত হো-হোকৈ মই হাঁহিবলৈ ধৰিলো। "ঘিণ কৰো, দাদাৰেও কয় নে? এই জগতত কাৰ সাধ্য, ঈশ্বৰৰ শ্ৰেষ্ঠ বস্তু মানুহক ঘিণ কৰিব পাৰে। মানুহৰ ধৰ্ম্ম—মানুহে মানুহক ভালপাবলৈ। কোনো মানুহৰেই, সগোত্ৰ মানুহৰ কথাকে নকওঁ, ঈশ্বৰৰ সৃষ্টি পশুপতঙ্গকো ঘিণ কৰিবৰ অধিকাৰ নাই। মই নো ইমান তলত নে মানুহক মই ঘিণ কৰিম? কিন্তু সচা—অৰ্থনীতি, ৰাজনীতি, সমাজনীতিত আমাৰ দেশলৈ আহি আমাৰ দেশতে আমাৰ মূৰতে বঙালীয়ে যেতিয়া কঠাল ভাঙি খাব খোজে, সেই নীতিৰ বিৰুদ্ধে থিয় নহম কিয়? পঞ্জাৱৰ মানুহে যদি কলিকতাখন পঞ্জাবীক লাগে বুলি বঙলাৰ বুকৰ পৰা কাঢ়ি নিব খোজে, তেতিয়া বিশ্বপ্ৰেমিক ৰবি ঠাকুৰেও "বঙ্গৰ পৰা পঞ্জাবীক খেদাই দে, খেদাই দে" বুলি কিজানি চিঞৰিবলৈ ধৰিব—পঞ্জাবীক ঘিণ কৰি নহয়, সিহঁতৰ কাৰ্য্যক ঘিণ কৰি। এতিয়া আমি অসমীয়ায়ো আমাৰ

অকণমানি দেশখনিৰ অঙ্গচ্ছেদ কৰিবলৈ টনা-আজোৰা কৰাত হে বঙালীক চুকতে থাকি বুকতে কামুৰিছ বুলি ধমক্ দিছোঁ। বঙালীৰ এনেকুৱা কাৰ্য্য যিমান দিন চলিব, নাইবা যেতিয়াই চলাব, তেতিয়াই আত্মসন্মান থকা প্ৰতি অসমীয়াই বঙালীক ডাবি দিবই তেওঁবিলাকৰ কাৰ্য্যৰ বাবে। সেই বুলি বঙালীক মানুহ হিচাপে আমি ঘিণ নকৰোঁ। মই অসমীয়া, তুমি বঙালী—ইয়াত ঘিণ ক'ত? দুখনি হিয়াৰ মধুৰ মিলন কেনে সুন্দৰ! এই মিলনত মুহূৰ্ত্তলৈও ভাবিব পাৰা নে আমি বেলেগ বুলি।"

"অসম্ভৱ! পতিয়েই তিৰোতাৰ গতি। ইয়াত দেশ-কালৰ কথা নাই। পতিৰ কৰ্ম্মই তিৰোতাৰ কৰ্ম্ম। সেয়ে আছল পতিসেৱা। বঙালী হ'লেও কোনো পতি-প্ৰাণা তিৰোতাই, যি কাৰ্য্যত স্বামীৰ আত্মসন্মানত আঘাত পৰে, তেনে কাৰ্য্য কেতিয়াও কৰিব নোৱাৰে। সতীয়ে পতিৰ নিমিত্তে পিতৃমাতৃ আৰু পিতৃৰাজ্য ত্যাগ কৰিছিল। আপুনি ভাবে নে, আপোনাৰ অসমীয়া নামত যি মহত্ব তাত মই কালিমা সানিম?"

"সি হবই নোৱাৰে। সেইবাবেই ঈশ্বৰপ্ৰেৰিত তুমি মোৰ ৰাণী।"

তৰুৱে আৰু মাতিব নোৱাৰিলে। তেওঁৰ সেই ধুনীয়া মুখখনিত এক নতুন জ্যোতিয়ে ঝল্‌মলাবলৈ ধৰিলে। মোৰ মুখলৈ চাই মাথোন একেৰাহে তধা লাগি ৰ'ল।

মই মাতিলোঁ—"তৰু!"

তৰুৱে মাথোন মোৰ হাতখনত আৰু জোৰেৰে সাবটি ধৰিলে।

শিখধৰ্ম্ম আৰু অসমত শিখ-সম্প্ৰদায়

—শ্ৰীযুত সোণাৰাম চৌধুৰী

আমাৰ দেশত বহুদিন আগৰেপৰা কিছুমান শিখধৰ্ম্মী মানুহ আছে। সিহঁত আমাৰ দেশলৈ ক'ৰ পৰা কেনেকৈ আহিল তাক বিচাৰ কৰাৰ আগেয়ে সিহঁতৰ উৎপত্তি স্থান, ধৰ্ম্ম আৰু ধৰ্ম্মপ্ৰচাৰক গুৰুসকলৰ বিষয়ে প্ৰথমতে আলচ কৰিবলৈ আগ বাঢ়িলোঁ।

ভাৰতৰ পশ্চিম সীমাত পঞ্জাব প্ৰদেশত 'জাঠ' বুলি এটা বলিষ্ঠ জাতি আছে। সেই জাতিটি গুৰিত মধ্য এচিয়াৰ শক জাতিৰ শাখা। এই জাতিটোক তাত 'জিট্‌স' বোলে। এই জাতিৰ মানুহ যেতিয়া ভাৰতলৈ আহি বাস কৰেহি, তেতিয়া সিহঁতৰ নাম পৰিবৰ্ত্তিত হৈ 'জাঠ' হোৱা বুলি ঐতিহাসিক টড্ চাহাবে নিৰ্দ্ধাৰণ কৰি গৈছে। ইহঁত পঞ্চম শতাব্দিতে ভাৰতৰ পঞ্জাব প্ৰদেশত সোমায়হি। ক্ৰমে এই জাতিৰ সোঁত ভাৰতলৈ বেছি হৈ বোৱাত, এই জাতিৰ সংখ্যা বাঢ়িবলৈ ধৰে আৰু ভাৰতৰ ভিতৰত বলিষ্ঠ পৰাক্ৰমী জাতি বুলি গণ্য হয়। ইহঁতেই ভাৰতৰ পশ্চিমত দুৱাৰৰখীয়া থাকি, ভাৰতত আন বিদেশী জাতি সোমোৱাত বাধা জন্মাইছিল। মুছলমানে এই জাতিৰ লগত প্ৰায় দুশ বছৰ যুজিহে ভাৰতত সোমাব পাৰিছিল। একাদশ শতাব্দিত মামুদে ভাৰত আক্ৰমণ কৰিবলৈ অহাত প্ৰথমে এই জাতিৰ লগতে যুদ্ধ কৰিছিল। চতুৰ্দ্দশ

শতাব্দিত তৈমুৰ লঙ্গৰ লগত এই জাতিৰ ঘোৰ ৰণ হৈছিল। তৈমুৰো এই জাতিৰ উচ্ছেদ সাধিবলৈ যত্নবান আছিল। বাবৰৰ আক্ৰমণতো এই জাঠবিলাকেই মহৎ বাধা জন্মাইছিল। বহু যুদ্ধবিগ্ৰহ সহ্য কৰি অনেক লাঞ্ছনা তাড়না খায়ো এই জাতিয়ে সকলো প্ৰকাৰে পঞ্জাবক নিজৰ দেশ কৰি লবলৈ পাছ নুহুহকিছিল। কতবাৰ শত্ৰুৰ আক্ৰমণত দেশ এৰি পৰ্ব্বতে-পাহাড়ে হাবিয়ে-বননিয়ে বগাই ফুৰিব লগীয়া হৈছিল, কতবাৰ ঘৰলৈ আহিছিল, কতবাৰ পলাইছিল, তাৰ অন্ত নাই। যিমানেই লাঞ্ছনা নিৰ্য্যাতন সহিছিল, সিমানেই সিহঁতৰ দেশৰ প্ৰতি স্নেহ-প্ৰীতি বাঢ়িছিল। ভাৰতীয় আৰ্য্যবিলাকৰ চকুত অলপ ঘৃণনীয় হলেও ইহঁত ভাৰতৰ বীৰজাতি বুলি সম্মানিত হৈছিল। ইহঁতে ক্ৰমে আৰ্য্যবিলাকৰ সম্পৰ্কলৈ আহি তেওঁলোকৰ ধৰ্ম্ম, ভাষা, জ্ঞান-বিজ্ঞানৰ পোহৰ পাই সুসভ্য হৈ উঠিছিল। আজিলৈকে ইহঁতে ইহঁতৰ পূৰ্ব্ব পুৰুষসকলৰ তেজ-বীৰ্য্য অনেক পৰিমাণে অক্ষুণ্ণ ৰাখি চলি আহিছে।

ইহঁত সভ্য আৰু ধৰ্ম্মভীৰু হৈ উঠাৰ আৰু এটা কাৰণ, ইহঁতৰ ভিতৰত এজন পৰম জ্ঞানী মহাপুৰুষৰ অৱতাৰ হৈছিল। সেই মহাপুৰুষজনেই ইহঁতৰ সমাজ আৰু ধৰ্ম্মসংস্কাৰক। তেওঁৰ নাম গুৰু নানক। এওঁ বাবা নানক নামে পৰিচিত। এওঁ ইংৰাজী ১৪৬৮ খৃষ্টাব্দত লাহোৰৰ অন্তৰ্গত তালবন্দী নামে এখন সৰু গাৱঁত জন্ম লাভ কৰে। তেওঁৰ পিতৃৰ নাম কালুবেদী আৰু মাতৃৰ ত্ৰিপটা। তেওঁৰ পিতৃয়ে সামান্য খেতিবাতিৰে জীৱিকা নিৰ্ব্বাহ কৰিছিল।

নানকক সৰুতে পঢ়াশালিত দিয়া হৈছিল। পাঠশালাৰ শিক্ষা শেষ কৰি তেওঁ উপযুক্ত পণ্ডিত আৰু মৌলবীৰ তলত সংস্কৃত আৰু ফাৰ্চি ভাষা শিকিছিল। জন্মসাক্ষী গ্ৰন্থত লিখা আছে, নানক সংস্কৃত আৰু ফাৰ্চিত ইমান অভিজ্ঞ হৈছিল যে, সেই দুই ভাষাৰ বৰ্ণমালাৰ প্ৰতি আখৰ ধৰি একো একোটি গভীৰ আধ্যাত্মিক ভাবপূৰ্ণ শ্লোক ৰচিছিল। সেই শ্লোকবোৰে শিক্ষকসকলৰো বিস্ময় জন্মাইছিল। নানক সৰুৰেপৰা ধৰ্ম্মপ্ৰাণ পুৰুষ আছিল। তেওঁ ঈশ্বৰ-ভাৱত মজি একে ঠাইতে বহি থাকিবলৈ ভাল পাইছিল। তেওঁৰ বয়স বঢ়াৰ লগে লগে সেই ধৰ্ম্মপ্ৰাণতা ক্ৰমাৎ বেছি হবলৈ ধৰে। তেওঁ সন্ন্যাসী ফকীৰক বৰ শ্ৰদ্ধা ভক্তি কৰিছিল। বাপেকে বেহাবেপাৰ কৰিবলৈ টকা-কড়ি দিলে, সন্ন্যাসী-ফকীৰক বিলাই সুখ পাইছিল। সিফালে বাপেকে খং-ৰাগ কৰিলেও তালৈ কেৰেপ নকৰিছিল। তেওঁৰ শৰীৰ ঈশ্বৰভাৱত ইমান মগ্ন হৈছিল যে, তাৰ কাৰণে তেওঁৰ শৰীৰ খীণাই শুকাই গৈছিল। মাক-বাপেকে কিবা বেমাৰ-আজাৰ হৈছে বুলি ওজা-জ্ঞানী লগাইছিল। ওজাই তেওঁৰ নাড়ী পৰীক্ষা কৰিবলৈ অহাত নানকে ওজাক কলে, "হেৰা বৈদ্! প্ৰথমতে নাড়ী চাই কি ৰোগ হৈছে ঠিক কৰা, তাৰ পাছে ঔষধ দিবা। মোক এনে ঔষধ লাগে যি ঔষধত সমস্ত দুখ শোক দূৰ হৈ নিত্য সুখ লাভ হয়। তুমি আগেয়ে এনে ৰোগ দূৰ কৰিছা যদি, তুমি ভাল বৈদ্য।" বৈদ্যে শুনি আচৰিত মানিলে আৰু তেওঁৰ কথাৰ তত্ত্ব বুজি সেৱা-সৎকাৰ কৰি গুচি গ'ল। বাপেকে লৰাৰ মতি-গতি ফিৰিব বুলি নানকক এটী কন্যা বিয়া কৰাই দিলে। কিন্তু তাত তেওঁৰ একো পৰিবৰ্ত্তন নহ'ল। তেওঁ সংসাৰী হৈও উদাসীনভাৱে দিন কটাব ধৰিলে। অৱশেষত এটি ঘটনা ঘটিল। সেইটি যেন ঈশ্বৰৰ আহ্বানহে। এদিন হঠাতে এজন সন্ন্যাসী আহি তেওঁক কলে—"আপুনি নানক অৰ্থাৎ 'নিৰঙ্কাৰী'। আপুনি নিৰাকাৰ পৰমব্ৰহ্মৰ মহিমা কীৰ্ত্তন কৰিব।" নানকে এই কথা শুনি তবধ মানি ৰ'ল। সন্ন্যাসীও ইফালে অন্তৰ্দ্ধান হ'ল। নানকক এই ঘটনাই আৰু ব্যাকুল কৰি তুলিলে; তেওঁ ঈশ্বৰপ্ৰেমত মত্ত হ'ল। তেওঁ তেতিয়াই ৩২ বছৰ বয়সত সংসাৰ এৰি ফকীৰ বেশ ধৰি ঘৰৰপৰা ওলাল। নানা বিসংবাদী মতৰ কোন মত লব, কোন বাট শ্ৰেয়ঃ তাকে নিৰ্ণয় কৰিবলৈ ভাৰতৰ নানা ঠাই ফুৰাত লাগিল। এই ভ্ৰমণত তেখেতৰ পদধূলি আমাৰ দেশতো পৰিছিল। তেওঁ লঙ্কা, মক্কা, পাৰস্য, কাবুল আদি ফুৰি নানা অভিজ্ঞতা লভিছিল।

বাবা নানকে দেশ ভ্ৰমণ শেষ কৰি আহি ঈশ্বৰ-প্ৰেমত

মজি উৎসাহেৰে সত্যধৰ্ম্ম প্ৰচাৰ কৰাত লাগিল। তেওঁ কোনো মূৰ্ত্তিৰ উপাসনা নকৰিছিল। নিৰাকাৰ পৰমব্ৰহ্মৰ উপাসনাই তেওঁৰ ধৰ্ম্ম। তেওঁ হিন্দু মুছলমান সকলোকে এই ধৰ্ম্মৰ উপদেশ দিছিল। যিবিলাকে নানকৰ ওচৰত সেই ধৰ্ম্মত দীক্ষিত হৈছিল, সিহঁত শিখ বা শিষ্য বুলি গণ্য হৈছিল। আমাৰ দেশত যেনেকৈ গুৰুৰ শিষ্যক 'শিচ' বোলে, তেনেকৈ 'শিখ' মানে শিষ্যহে, কোনো এটা নতুন জাতি নহয়। তাত জাতিনিৰ্ব্বিশেষে সকলোৱে শিষ্যত্ব গ্ৰহণ কৰিব পাৰে। ইয়াৰপৰা দেখা যায়, নানকৰ ধৰ্ম্ম উপনিষদৰ সাৰ সত্যধৰ্ম্ম। এই সত্যধৰ্ম্ম আশ্ৰয় কৰা লোকবিলাকক বিধৰ্ম্মী বুলিব নোৱাৰি, বৰং তেওঁলোক পৰমাৰ্থ বিদ্যাত শিক্ষা পোৱা বৈদিক হিন্দু নাম পোৱাৰহে যোগ্য। পঞ্চদশ শতিকাত নানকেই এই মহৎ তত্ত্ব উপলব্ধি কৰাত সকলোৰে আগ আছিল। তাৰ পিছতহে ৰাজা ৰামমোহন ৰায়ৰ ব্ৰাহ্মধৰ্ম্ম আৰু ঋষি দয়ানন্দ সৰস্বতীৰ বৈদিক আৰ্য্যধৰ্ম্ম প্ৰচাৰিত হয়।

বাবা নানকে বিশ্বময় ভগৱানৰ আশ্চৰ্য্য মহিমা দেখি তন্ময় ভাৱত মজিছিল। তেওঁৰ ৰচিত দোহা বা গীতবোৰত সেইবোৰ ভাব সুন্দৰ ৰকমে ফুটি ওলাইছিল—তেওঁৰ প্ৰতি দোহাৰ প্ৰতি শব্দত ঈশ্বৰ-অনুভূত আশ্চৰ্য্য সত্য প্ৰকাশ হৈছিল। তাৰে এটি দোহাৰ এক অংশ এই—

"গগনমে থালু ৰব চন্দ দীপন্দ বনে
তাৰকা মণ্ডলো জনক মোতী।
ধুপ মলিয়ানলো পৱন চৱৰী কৰৈ সগল
বনৰাই ফুলন্ত জোতী॥
কৈসী আৰতী হোই ভবখণ্ডনা তেৰী।
আৰতী অনহতা সবদ বাজন্ত ভেৰী॥ ইত্যাদি।

হে পৰমেশ্বৰ, গগণৰূপ থালত ৰবিচন্দ্ৰ প্ৰদীপস্বৰূপ হৈছে; তৰাবিলাক মুক্তাৰ দৰে শোভা পাইছে; সুগন্ধ মলয়ানিল ধূপস্বৰূপ হৈছে; বায়ুৱে চামৰ ব্যজন কৰিছে; বনৰাজিয়ে উজ্জ্বল পুষ্প দিছে। হে ভবখণ্ডন, এইৰূপে তোমাৰ কেনে আৰতি হব লাগিছে। অনাহত শব্দবিলাকে ভেৰি বজাইছে।

এনে ভাবপূৰ্ণ সুন্দৰ দোহা ভালেমান আছে, কিন্তু ইয়াত ঠাই নহব বুলি দিয়া নহ'ল।

শেষ জীৱনত নানকে সপৰিবাৰে বিপাশা নদীৰ পাৰৰ কৰ্ত্তাৰপুৰ গাৱঁত বাস কৰে গৈ। তাত নানা ঠাইৰ লোক আহি তেওঁৰ নতুন ধৰ্ম্ম লৈ শিষ্য হৈছিল। তেওঁৰ ধৰ্ম্মনিষ্ঠা, মধুৰ বচন আৰু সৰল সাধুতাই সকলোকে মোহিত কৰিছিল। তেওঁ হিন্দুক উপদেশ দিবৰ বেলিকা হিন্দুশাস্ত্ৰৰ উল্লেখ কৰিছিল; কোৰাণৰপৰা মুছলমানক উপদেশ দিছিল। এনেকৈ পৱিত্ৰ ধৰ্ম্ম বিলাই নানক ৭১ বছৰ বয়সত স্বৰ্গগামী হয়।

ইমানতে তেওঁৰ পৱিত্ৰ জীৱনী এৰি, তেওঁৰপৰা ক্ৰমে যিসকল গুৰু তেওঁৰ গদিত বহিছিল, সেইসকলৰ নাম তলত দিলোঁ—

২য় গুৰু অঙ্গদ	৭ম গুৰু হৰৰায়
৩য় " অমৰদাস	৮ম " হৰকিষণ
৪ৰ্থ " ৰামদাস	৯ম " তেগ বাহাদুৰ
৫ম " অৰ্জ্জুন	১০ম গুৰু গোবিন্দ সিংহ
৬ষ্ঠ " হৰগোবিন্দ	(শেষ গুৰু)

গুৰু অঙ্গদ জাতিত ক্ষত্ৰিয় আছিল। তেওঁৰ পূৰ্ব্ব নাম লহিনা। গুৰু নানকৰ ধৰ্ম্মকথাত মুগ্ধ হৈ তেওঁ নানকৰ শিষ্য হৈছিল। তেওঁক অঙ্গদ নাম নানকেই দিছিল। নানকে তেওঁকে গুৰু-গদি দি যায়। নানকৰ চৰিতকথা তেওঁৰ ল'ৰাকালৰ বন্ধু বালসিন্ধুৰপৰা শুনি তেওঁ জন্মসাক্ষীগ্ৰন্থ গুৰুমুখী ভাষাত ৰচিছিল। অঙ্গদৰ কিছুমান উপদেশ আছিল, সেইবোৰক দ্বিতীয় 'মহল্লা' বোলে। তেওঁ ১৫৩৯ খৃষ্টাব্দৰপৰা ১৫৫২লৈকে গুৰু-গদিত আছিল।

অঙ্গদৰ পিছত তেওঁৰ শিষ্য অমৰদাস গুৰুপদত বহে। তেওঁ সুবক্তা আছিল। তেওঁৰ দিনতে শিষ্যৰ সংখ্যা বহুত বাঢ়ে। তেওঁ ধৰ্ম্মপ্ৰচাৰ কৰা কালত মহামতি আকবৰ দিল্লীৰ সিংহাসনত আছিল। তেওঁ অমৰক দিল্লীলৈ মতাই আনিছিল আৰু অমৰৰ মুখত শিখধৰ্ম্মৰ কথা শুনি বৰ প্ৰীতি লভিছিল। অমৰে ১৫৫২ খৃষ্টাব্দত মানৱলীলা সামৰে।

অমৰ দাসৰ মৃত্যুত তেওঁৰ জোঁৱায়েক ৰামদাসে গুৰুগদি লাভ কৰে। মোগল সম্ৰাট আকবৰে এওঁৰ লগতো শাস্ত্ৰালাপ কৰি তেওঁৰ গুণত মুগ্ধ হৈছিল। সম্ৰাটে ৰামদাসৰ প্ৰতি শ্ৰদ্ধাৰ নিদৰ্শন স্বৰূপে তেওঁক এখণ্ড বৃত্তাকাৰ ভূমি দান কৰিছিল। সেই মাটিডোখৰ ঘূৰণীয়া বৃত্তাকাৰ হোৱাত ই 'ৰামদাসচক্ৰ' নামে খ্যাত হৈছিল। সেই মাটিতে ৰামদাসে অমৃতসৰোবৰ নামে এটা ডাঙ্গৰ পুখুৰী খনায় আৰু পুখুৰীৰ মাজতে দ্বীপৰ আকাৰ মাটিতে এটা মন্দিৰ বান্ধিবলৈ আয়োজন কৰায়। ১৫৮১ খ্ৰীষ্টাব্দত তেওঁৰ মৃত্যু হয়।

ৰামদাসৰ পিছত তেওঁৰ পুত্ৰ অৰ্জ্জুন গদিত বহে। তেওঁৰ দিনতে অমৃতসৰ নগৰৰ পুখুৰী আৰু মন্দিৰ সম্পূৰ্ণ হৈ উঠে। তেওঁ প্ৰায় ৰজাৰ পয়োভৰেৰে চলিছিল। তেৱেঁ নানা নিয়মকাৰণ সলাই শিখসমাজ গঢ়ি তুলিছিল। শিখ সমাজত তেৱেঁ শিখগ্ৰন্থ মাতৃভাষাত সঙ্কলন কৰে। আদিগ্ৰন্থ সংগ্ৰহ কৰি তেওঁ সকলোৰে শলাগৰ পাত্ৰ হৈছিল। এই আদিগ্ৰন্থকে 'গ্ৰন্থচাহেব' বোলে। শিখধৰ্ম্ম স্থাপনকৰ্ত্তা প্ৰথম গুৰু নানকৰ ৰচনা আদিগ্ৰন্থৰ প্ৰথম মহল্লা, দ্বিতীয় গুৰুৰ ৰচনা দ্বিতীয় মহল্লা, তৃতীয় গুৰুৰ ৰচনা তৃতীয় মহল্লা, চতুৰ্থ গুৰুৰ ৰচনা চতুৰ্থ মহল্লা, আৰু গুৰু অৰ্জ্জুনৰ ৰচনাই পঞ্চম মহল্লা নাম পায়। পিছত নবম গুৰু তেগবাহাদুৰ আৰু দশম গুৰু গোবিন্দ সিংহৰ উপদেশো আদিগ্ৰন্থত ঠাই পাইছিল। গুৰু বিলাকৰ উপদেশত বাজে কবীৰ, নামদেৱ, ৰামানন্দ, জয়দেৱ, মীৰাবাঈ, সেখ ফৰিদ, ত্ৰিলোচন প্ৰভৃতি নানা সম্প্ৰদায়ৰ উনৈশজন প্ৰসিদ্ধ ভক্তৰ উপদেশ আদিগ্ৰন্থত লিখা হৈছিল। অৰ্জ্জুনৰ দিনৰপৰাই অমৃতসৰ মন্দিৰত নিত্য পূজা চলে আৰু বছৰৰ শেহত এটা ডাঙ্গৰ সভা বহে। ১৬০৬ খৃষ্টাব্দত অৰ্জ্জুনৰ মৃত্যু হয়।

হৰগেবিন্দ—অৰ্জ্জুনৰ পিছত হৰগোবিন্দ গুৰু হয়। তেওঁ আগৰ গুৰুসকলৰ বাট এৰি শিষ্যবিলাকক ৰণমন্ত্ৰত দীক্ষিত কৰিছিল। নানক অহিংসাপৰায়ণ নিৰামিষ-ভোজী আছিল, কিন্তু হৰগোবিন্দ মৃগয়াপ্ৰিয় হৈ মাংস-ভোজী হৈছিল। তেওঁৰ দিনত বহুত বেয়া চৰিত্ৰৰ মানুহ আহি তেওঁৰ শিষ্য হয়। এটা সামান্য কথাতে সম্ৰাট জাহাঙ্গীৰৰ লগত তেওঁৰ বিৰোধ ঘটে। তেওঁ তিনিবাৰ মোগল সৈন্যক পৰাস্ত কৰিছিল। তেওঁৰ অসাধাৰণ নৈপুণ্য আৰু বীৰত্ব দেখি জাকে ২ মানুহ আহি তেওঁৰ শিষ্য হৈছিল। ১৬৪৫ খৃষ্টাব্দত তেওঁৰ পৰলোক হয়।

তেওঁৰ মৃত্যুত তেওঁৰ নাতিয়েক হৰৰায়ে গুৰুপদ লয়। তেওঁ বৰ ধাৰ্ম্মিক পুৰুষ আছিল। তেওঁ ১৬৬১ খৃষ্টাব্দত মৰে।

তেওঁৰ পিছত তেওঁৰ পুত্ৰ হৰকিষণে গুৰুপদ লাভ কৰে। তেওঁ বসন্ত ৰোগত ১৬৬৬ খৃষ্টাব্দত পঞ্চত্ব প্ৰাপ্ত হয়।

হৰকিষণৰ পিছত তেওঁৰ আত্মীয় তেগবাহাদুৰ গুৰুগদিত শোভা পায়। সম্ৰাট আওৰংজেবে তেওঁৰ কোনো কথাত তেওঁক বিদ্ৰোহী বুলি ধৰি নি শাস্তি দিব খুজিছিল। কিন্তু জয়পুৰৰ মহাৰাজৰ খাটনিতহে কোনো ৰকমে তেওঁ ৰক্ষা পৰে। তেগবাহাদুৰৰ ধৰ্ম্মপ্ৰাণতাত মহাৰাজ মুগ্ধ হৈছিল আৰু এসময়ত তেখেতে গুৰুক লগত লৈ বঙ্গদেশলৈ আহিছিল। এই সময়তে তেগবাহাদুৰে বঙ্গ আৰু অসমত ঘূৰিছিল। কিছুদিনৰ মূৰত তেগবাহাদুৰ নিজদেশলৈ ফিৰিল। তাত গৈ তেওঁ নানা বিপদত পৰে। হৰকিষণৰ পুত্ৰ কামৰায় তেগৰ চিৰশত্ৰুৰ দৰে আছিল। তেওঁ দিল্লীৰ সম্ৰাটৰ ওচৰত তেগৰ বিৰুদ্ধে নানা অভিযোগ কৰে। দিল্লীশ্বৰে সৈন্য পঠালে। যুদ্ধত তেগ বন্দী হ'ল। তেগে বীৰপুত্ৰ গোবিন্দসিংহক নিজৰ হাতৰ তৰোৱাল দি কৈ গ'ল, "প্ৰাণপণে এই তৰোৱালৰ সন্মান ৰক্ষা কৰিবি; মই মৃত্যুৰ নিমিত্তে দিল্লীলৈ যাওঁ।" আওৰংজেবে তেগক কিবা অলৌকিক বিদ্যা জানে যদি দেখাবলৈ কলে, নোৱাৰিলে মুছলমান হবলৈ আদেশ দিলে। মুছলমান নহলে তেওঁক বধ কৰা হব বুলি শুনালে। তেগে নিৰ্ভীকভাৱে উত্তৰ দিলে, "মোৰ কোনো অলৌকিক শক্তি দেখাবৰ ইচ্ছা নাই। ঈশ্বৰ আৰাধনাই মনুষ্যৰ কৰ্ত্তব্য। তথাপি মোৰ ডিঙ্গিত মন্ত্ৰ লিখা কাকত এডোখৰ থাকিব; মোৰ মৃত্যুৰ পিছত সেয়ে অলৌকিক কাৰ্য্য সাধিব।" এই বুলি তেগে

কাকত এডুখৰি ডিঙ্গিত বান্ধি মৃত্যু অপেক্ষি ৰ'ল। সম্ৰাটৰ ইঙ্গিতমতে তেগৰ শিৰচ্ছেদ কৰা হ'ল। সম্ৰাটে মাটিত পৰি যোৱা কাকতডোখৰ তুলি পঢ়িলে। তাত লিখা আছিল "শিৰ দিয়া শিৰ নে দিয়া"—মূৰ দিলোঁ, কিন্তু বিশ্বাস ত্যাগ নকৰিলোঁ। এই ঘটনা ১৬৭০ খৃষ্টাব্দত ঘটে।

তেগৰ ধৰ্ম্মপ্ৰাণতা, মৃত্যুলৈ উপেক্ষা, বীৰত্বই শিখ-সম্প্ৰদায়ৰ মাজত এটা নতুন শক্তি সঞ্চাৰ কৰি দিলে। জাকে জাকে মানুহে শিখধৰ্ম্মলৈ একপ্ৰাণ হৈ গুৰুবধৰ পোটক তুলিবলৈ অগ্ৰসৰ হ'ল।

পিতৃৰ মৃত্যুত গোবিন্দসিংহে নানা বিপদৰ সন্মুখীন হৈ গুৰুগদি অধিকাৰ কৰিলে। পিতৃক বধ কৰা হেতুকে মুছলমানৰ ওপৰত তেওঁৰ বিজাতীয় ঘৃণাৰ উদ্ৰেক হ'ল। বৈৰ নিৰ্য্যাতনৰ বাবে তেওঁৰ হৃদয়ৰ কমনীয়তা দূৰ হ'ল। স্বদেশবাসীবিলাকক ৰণত দুৰ্দ্দমনীয় কৰি তুলিবৰ নিমিত্তে কঠোৰ ব্ৰত গ্ৰহণ কৰিলে। নানকৰ দিনত ব্ৰাহ্মণ্য প্ৰভাৱ কমা নাছিল। সেয়ে শিখসম্প্ৰদায়ক দুৰ্ব্বলকৈ ৰাখিছে বুলি গোবিন্দ সিংহৰ বিশ্বাস জন্মিল। তেওঁ সেই বান্ধোন দূৰ কৰি দিলে। তেওঁ শিক্ষা দিলে "সকলো শিখেই সমান; জাতি অভিমান এৰি ব্ৰাহ্মণ, ক্ষেত্ৰি, বৈশ্য, শূদ্ৰ সকলোৱে এক পাত্ৰতে ভোজন কৰিব পাৰে। ভেদ বুদ্ধি এৰি সকলো 'খালছা' বা খোলোছা নহলে, কাৰো পৰিত্ৰাণ নহয়" বুলি প্ৰচাৰ কৰিলে। তেওঁ নতুন দীক্ষিত 'খালছা' শিখবিলাকক 'সিংহ' উপাধি দিলে। নানকৰ পৱিত্ৰ ধৰ্ম্ম পাৰমাৰ্থিক গুচি জাতীয় ভাবত পৰিণত হ'ল। জাতিভেদ আৰু সাম্প্ৰদায়িক সঙ্কীৰ্ণতা গুচাবলৈ লগুণ লোৱা প্ৰথা উঠাই দিলে। 'পাহুল' নামে পুৰণি দীক্ষা চলালে। হিন্দুধৰ্ম্মৰ গ্ৰন্থ বিশ্বাস নকৰিব আৰু তীৰ্থ ভ্ৰমণ নকৰিব বুলি সকলোকে শুনাই দিলে। কেৱল ঈশ্বৰত বিশ্বাস ৰাখি নানকৰ প্ৰতি শ্ৰদ্ধা ৰখাই মোক্ষ পদ বুলি সকলোকে শিক্ষা দিলে। তেনেহলেই 'পাহুলে' মুক্তিদান কৰিব বুলি প্ৰচাৰ কৰিলে। এনেকৈ সকলো শিখকে এডাল শিকলিৰে বান্ধি বলীয়ান হৈ, মোগল বাহিনীৰ সন্মুখীন হবলৈ গ'ল। মুক্তসৰৰ যুদ্ধত শিখৰ হাতত মোগল পৰাস্ত হয়। সেই পৰাজয়ৰ পিছত মোগলে কিছু-কাললৈ গোবিন্দসিংহৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰা নাছিল। বিজয়ী গোবিন্দসিংহই ভালেদিন আজৰি পাই গ্ৰন্থ ৰচনাত লাগে। এই সময়তে গ্ৰন্থচাহেবৰ দশম খণ্ড আৰু বিচিত্ৰ নাটক ৰচিত হয়।

মোগলসৈন্য গোবিন্দৰ হাতত পৰাস্ত হোৱা কালত সম্ৰাট আওৰংজেব দাক্ষিণাত্যত আছিল। তেওঁ শিখৰ পৰাক্ৰম শুনি আচৰিত মানিলে। গোবিন্দসিংহ আৰু তেওঁৰ শিষ্য খালছা সম্প্ৰদায় অদম্য বুলি বুজি সম্ৰাটে গোবিন্দৰ লগত মিতিৰালি পাতিবলৈ ইচ্ছা কৰিলে। গোবিন্দক মাতিবলৈ দূত পঠোৱা হ'ল। গুৰুৱে পিতৃহন্তাৰ অনুৰোধ উপেক্ষা কৰিলে। তেওঁৰ ফাৰ্চি ভাল জনা আছিল। ফাৰ্চিতে তেওঁ সম্ৰাটলৈ এখন দীঘল গৰ্ব্বপূৰ্ণ চিঠি লিখিলে। সেই চিঠিৰ শেহত লিখিলে—"এই চিঠিৰ কথা এটাও অতিৰঞ্জিত নহয়, সম্পূৰ্ণ সঁচা। সম্ৰাটে যদি স্বীকাৰ কৰে আৰু সহে তেনেহলে পুনৰ অনুৰোধ কৰিলে যাব পাৰোঁ।" সম্ৰাটে চিঠি পাই একো খং নেদেখালে। তেওঁ বৰং তেওঁৰ নিজৰ নিষ্ঠুৰ ব্যৱহাৰক নিন্দা কৰি, আকৌ গোবিন্দ সিংহক মাতি পঠালে। সেইবাৰ গুৰুৱে কোনো আপত্তি নকৰিলে। ১৭০৭ খৃষ্টাব্দত তেওঁ দাক্ষিণাত্যলৈ খোজ ললে। বাটতে সম্ৰাটৰ মৃত্যু হোৱা শুনিলে। ইফালে দিল্লীত বাহাদুৰ শাহ নতুন সম্ৰাট হ'ল। বাহাদুৰ শাহেও সাদৰে গোবিন্দসিংহক তেওঁৰ ৰাজধানীলৈ মাতি পঠালে। গুৰুৱে তেওঁকে দেখা কৰিবলৈ গ'ল। সম্ৰাটে নানা উপহাৰ দি যথোচিত সন্মান দেখুৱাই গোবিন্দসিংহক ৰাজধানীলৈ তুলিলে আৰু গোদাবৰী প্ৰদেশৰ শাসনকৰ্ত্তাৰ বাব দিলে। সম্ৰাটৰ ইমানখিনি অনুগ্ৰহ শিখবীৰৰ প্ৰতি কিয় হ'ল, কাৰণ জনা নাযায়। বোধহয় এই দুৰ্দ্দমনীয় শিখবীৰৰ সহায়ত তেওঁ প্ৰতাপী মাৰাঠাহঁতক দমাব পাৰিব বুলিয়ে, গোবিন্দসিংহক এনে খিতাপ আৰু সন্মান দান কৰিছিল। সম্ৰাটে গুৰু গোবিন্দক পাঁচ হাজাৰ সৈন্যৰ সেনাপতি পাতি দিলে। এনেকৈ মোগল সম্ৰাটৰ আশ্ৰয়ত গোবিন্দসিংহই দূৰ দেশত তেওঁৰ শিষ্যবিলাকৰপৰা আঁতৰি কিছুদিন শান্তিৰে বাস কৰিলে। লাহে লাহে তাতো গৈ

তেওঁৰ শিষ্যবিলাক লগ লাগিল। ইয়াৰ পিছত গোবিন্দ সিংহ এবাৰ পঞ্জাবলৈ আহিছিল। ফিৰি যোৱাত বন্দা নামে এজন সাহী পুৰুষ তেওঁৰ শিষ্য আৰু অনুচৰ হয়।

গুৰু গোবিন্দে এটা পাঠান ঘোঁৰা-বেপাৰীক তাৰ ব্যৱহাৰত অসন্তুষ্ট হৈ কাটিছিল। সেই বেপাৰীৰ দুটা পুতেকে প্ৰতিহিংসা লবলৈ ছল চাই আছিল। এদিন নিশা সিহঁতে গোবিন্দসিংহৰ শোৱনি ঘৰত সোমাই শয্যাতে তেওঁৰ গাত ছুৰী বহায়গৈ। গুৰুৱে চক্‌মক খাই সাৰ পাই উঠি তৎক্ষণাৎ সিহঁতক ধৰি পেলালে, কিন্তু একো নকৰাই ক্ষমা কৰি কলে,—"তহঁতেই বাপৰ বেটা, তহঁতৰ জীৱন সাৰ্থক, তহঁতে পিতৃহন্তাৰ উপযুক্ত প্ৰতিশোধ দিছ। তহঁতৰ কেশ এডালো কোনেও হানি নকৰে; তহঁত নিৰাপদে ঘৰলৈ যাগৈ।" ১৭০৮ খৃষ্টাব্দত গোবিন্দসিংহৰ এই হত্যাকাণ্ড ঘটে।

তেওঁৰ মৃত্যুৰ সম্বন্ধে আনৰকম আখ্যানো আছে, তাক আৰু ইয়াত দিয়া নগ'ল। তেওঁৰ মৃত্যুশয্যাৰ কাষত শোক কৰি তেওঁৰ শিষ্যবিলাকে সুধিলেহি—"প্ৰভো, আপোনাৰ অবৰ্ত্তমানে কোনে আমাক সত্যধৰ্ম্মৰ উপদেশ দিব, আমি কাৰ আশ্ৰয়ত থিয় দিম, কোনে আমাক উৎসাহ দি ৰণ-ভূমিলৈ লৈ যাব?" গুৰুৱে সিহঁতক উৎসাহ দি কলে,—"তোমালোক হতাশ নহবা, এজন এজনকৈ দহজন গুৰুৱে পৱিত্ৰ সত্যধৰ্ম্ম থাপি গৈছে, এতিয়া গুৰুসকলৰ কাজ শেষ হৈছে; আজি অবিনশ্বৰ ঈশ্বৰৰ হাতত খালছা সম্প্ৰদায় সপি যাওঁ। যদি কোনোৱে গুৰু দৰ্শন কৰিব খোজা, তেন্তে গ্ৰন্থচাহেব অনুসন্ধান কৰিবা, গুৰু সদাই খালছা সম্প্ৰদায়ৰ লগত বাস কৰিব। তোমালোকৰ অটল বিশ্বাস হ'ক, য'তে পাঁচজন বিশ্বাসী শিখ মিলিব তাতে গুৰুৰ আবিৰ্ভাৱ হব।"

গুৰু গোবিন্দৰ এই অকাল মৃত্যুত শিখ-সম্প্ৰদায়ৰ বহুত আশা-ভৰসা অপূৰ্ণ ৰৈ গ'ল। তথাপি তেওঁৰ জীৱন ব্যৰ্থ হোৱা নাছিল। তেওঁ শিখ-সম্প্ৰদায়ক নতুন জীৱন দিলে। তেওঁ সিহঁতৰ নিমিত্তে নতুন নতুন ব্যৱস্থা কৰিলে। তেওঁ তেওঁৰ পুণ্যময় জীৱনত যি অদম্য অধ্যৱসায়, অসীম সহিষ্ণুতা, অতুলনীয় বীৰত্বৰ পৰিচয় দিছিল, সেইবোৰকে স্মৰণ কৰি আজিলৈকে শেষ সম্প্ৰদায়ে তেওঁলৈ আন্তৰিক শ্ৰদ্ধা ভক্তি নিবেদন কৰে।

গোবিন্দসিংহৰ পিছৰপৰাই গুৰুগদি শূন্য হল। শিখবিলাকো নানা দলত বিভক্ত হ'ল। ১৭১৬ খ্ৰীষ্টাব্দৰ পৰা মোগল ৰাজশক্তি খৰ্ব্ব হব ধৰাত শিখবিলাক একো একোজন চৰ্দ্দাৰ বা দলপতিৰ অধীনত ভিন ভিন সম্প্ৰদায় হৈ উঠে। তাৰ ভিতৰত 'অকালী' নামে সম্প্ৰদায়টোৱে বেছি প্ৰখ্যাত। ইহঁত বৰ নিষ্ঠাবান্। ইহঁতে ধৰ্ম্ম গ্ৰন্থৰ সকলো কথা মানি চলে। ইহঁতে নিজক ঈশ্বৰৰ সৈন্য বুলি বিবেচনা কৰে। নীলবৰণীয়া পোছাক আৰু হাতত পিতলৰ খাৰুৱেই সেই সম্প্ৰদায়ৰ চিন। অমৃতসৰ ইহঁতৰ প্ৰধান দেৱালয়। ইহঁত পঞ্জাব কেশৰী ৰণজিৎসিংহৰ প্ৰধান সহায় আছিল। ৰণজিৎসিংহেও ইহঁতলৈ ভয় কৰিহে চলিছিল। ইংৰাজৰ লগত শিখযুদ্ধত সোৱাওন, মহাৰাজপুৰ, চিলিৱানবালা প্ৰভৃতি যুদ্ধক্ষেত্ৰত ইহঁতে অসীম বীৰত্বৰ চিনাকি দিছিল। ইহঁতৰ সহায়তে ইংৰাজে কাবুল জয় কৰিবলৈ সমৰ্থ হৈছিল। এয়ে শিখধৰ্ম্মৰ সংক্ষিপ্ত বুৰঞ্জী। এতিয়া অসমলৈ শিখ মানুহ কেতিয়া কেনেকৈ আহি বসতি কৰিলে তাৰে অলপ বিচাৰ কৰোঁ।

ওপৰত কৈ অহা গৈছে যে গুৰু নানক আৰু তেগ বাহাদুৰ প্ৰাচীন কামৰূপ বা অসমলৈ আহিছিল। শিখ গ্ৰন্থৰ উক্তিও এয়ে। তেওঁলোকৰ ভ্ৰমণৰ বিশদ বিবৰণ শ্ৰীযুত বাণীকান্ত কাকতী ডাঙৰীয়াই ১৮৪১ শকৰ পুহৰ 'চেতনা' ৫ম সংখ্যাত প্ৰকাশ কৰিছিল। তাত তেওঁ ইব্ৰাহিম লোডিৰ দিনত ১৫১৭ খ্ৰীষ্টাব্দৰ অলপ পিছতে নানক কামৰূপলৈ অহা প্ৰমাণ দিছে আৰু তেগবাহাদুৰ আহোমৰাজ চক্ৰধ্বজৰ দিনত কামৰূপ দখল কৰিবলৈ পঠোৱা সম্ৰাট আওৰংজেবৰ সেনাপতি অম্বৰৰাজ ৰামসিংহৰ লগত ১৬৬৯ খ্ৰীষ্টাব্দত কামৰূপলৈ অহা দেখুৱাইছে। বিবৰণৰ অধিকাংশ কথা মেকলিফ চাহাবৰপৰা (Sikh Religion, Vols I and IV) লৈছে। তাত বহুত যোৰা দিয়া সজা কথা থকাত, আমি তাৰ ঐতিহাসিক-খিনি মাত্ৰ টুকি তলত দিলোঁ।

"কাশীৰপৰা গুৰু নানক কামৰূপলৈ আহে। তাৰ

পৰা তেওঁ ব্ৰহ্মপুত্ৰেদি ভাটী মাৰি বঙ্গসাগৰৰ পাৰে পাৰে শ্ৰীক্ষেত্ৰলৈ যায়।"

তেগবাহাদুৰ সম্বন্ধে অলপ বিস্তৃত বিবৰণ পোৱা যায়, তাৰ সাৰাংশ এই :—

"তেগবাহাদুৰে ৰামসিংহৰ অনুৰোধমতে কামৰূপলৈ খোজ লয়। দুয়ো মুঙ্গেৰ ৰাজমহল, মালদহ আদি ঘূৰি ঢাকাত উপস্থিত হয়। তাৰপৰা ৰাঙ্গামাটিত আহি শিবিৰ পাতে। কামৰূপৰ ৰজাই * মন্ত্ৰশক্তিৰে নানা তান্ত্ৰিক ক্ৰিয়া আচৰণ কৰে। কিন্তু সকলো ব্যৰ্থ হয়। তেতিয়া ৰজাই সন্ধি কৰিবলৈ বাধ্য হয়। ৰজাই তেগবাহাদুৰ আৰু ৰাম-সিংহৰ ধৰ্ম্মভাব দেখি তেওঁলোকক নিজ ৰাজধানীলৈ নিয়ে। তাতে তেগবাহাদুৰে তৰোৱাল পুতি সম্ৰাটৰ আৰু কামৰূপৰ ৰজাৰ ৰাজ্যৰ সীমা ঠিককৈ দিয়ে।

তেগবাহাদুৰে কামৰূপৰ ৰাজধানী ধুবুৰীত ৰামসিংহৰ কৰ্ম্মচাৰীবোৰক কলে,—এই ঠাই গুৰু নানকৰ পদধূলিৰে পৱিত্ৰ হৈছিল। এতেকে মই ইচ্ছা কৰোঁ, প্ৰত্যেক চিপাহীয়ে পাঁচ ঢালকৈ মাটি আনি শিখধৰ্ম্মৰ প্ৰতিষ্ঠাপক গুৰু নানকৰ স্মৃতিচিন স্বৰূপে ইয়াতে দৌল এটা বান্ধক।" চিপাহীবোৰে যোগ হৈ অলপ সময়ৰ ভিতৰতে দৌল এটা বান্ধি পেলালে। গুৰুদেৱে তাৰ ওপৰত চান্দ এখন টনালে। †

ধুবুৰীত দৌল বন্ধাই গুৰুদেৱে কিছুদিন বিশাল ব্ৰহ্ম-পুত্ৰৰ তীৰত বাস কৰিলে। তেওঁৰ খিয়াতি চাৰিওফালে বিয়পিল। অসমৰ অধিপতি ৰাজাৰামে তেওঁৰ গৰিমা শুনি সেৱা কৰিলে। তেওঁৰ দুগৰাকী ৰাণীয়েও সেৱা সৎকাৰ জনালে। ৰাজাৰামে শিখগুৰু দৰ্শনত আনন্দ পাই তত্বজ্ঞান ভিক্ষা কৰিলে। তেওঁ নিঃসন্তান আছিল, তত্বজ্ঞান ভিক্ষাৰ লগতে পুত্ৰবৰো মাগিলে। গুৰুৱে উত্তৰ স্বৰূপে আঙঠি এটা হাতত লৈ ৰজাৰ উৰুত চাব বহুৱাই দি কলে, 'এই আঙঠিটিৰ চিন তোমাৰ পুত্ৰৰ কপালত থাকিব। ইয়াৰপৰা বুজিবা যে গুৰু নানকৰ কৃপাত তোমাৰ পুত্ৰ লাভ হ'ল। তোমাৰ পুত্ৰক শিখধৰ্ম্মত দীক্ষিত কৰিবা।' ইয়াৰ পিছত ৰজায়ো গুৰুৰ পাদোদক পান কৰি শিখধৰ্ম্ম লৈ নিজ ৰাজধানীলৈ ফিৰি গ'ল।

গুৰুৱে ৰামসিংহৰ লগত পাটনালৈ উভতিল। ধুবুৰীত তেওঁৰ শিষ্য কিছুমানক মন্দিৰ ৰক্ষা কৰিবলৈ আৰু ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ থৈ গ'ল।"

সেই শিখবিলাকৰ সতি-সন্ততি ধুবুৰী আৰু চোতলা অঞ্চলত এতিয়াও আছে বুলি কাকতী ডাঙৰীয়াই লিখিছে।

'চেতনাৰ' সম্পাদক শ্ৰীযুত অম্বিকাগিৰি ৰায় চৌধুৰীয়ে নগাওঁ অঞ্চলৰ শিখবিলাকো এই শিখৰে সতি-সন্ততি বুলি অনুমান কৰে। তেতিয়াৰ দিনত আজিকালিৰ দৰে অহা যোৱাত সুবিধা থকা হলে, আমিও তেওঁৰ অনুমানত ভৰ দিব পাৰিলোঁহেঁতেন। কিন্তু তেতিয়াৰ দিনত ৰেল-জাহাজ একোৱে নাছিল। এঠাইৰপৰা আন ঠাইলৈ যোৱা বাট-পথো দুৰ্গম আছিল। বেপাৰৰ নাওদুনী চলিলেও নৈৰে অহাও টান আছিল। বিশেষতঃ ধুবুৰী এখন শিখৰ ধৰ্ম্মস্থান, তাক এৰি কামৰূপ চেৰাই নগাওঁ অঞ্চলত শিখধৰ্ম্মী মানুহ আহি বসতি কৰা অসম্ভৱ যেন লাগে। সেই অঞ্চলত শিখৰ বসতি আনদৰে হোৱা বুলি মনে ধৰে। বুৰঞ্জীপাঠক মাত্ৰেই জানে, মুছলমানে অসম আক্ৰমণ এবাৰ নহয়, দুবাৰ নহয়, ১৪ বাৰ কৰে। এই আক্ৰমণবোৰৰ কোনো কোনো আক্ৰমণত মুছলমান সেনা কলিয়া-বৰ পৰ্য্যন্ত উজাইছিল। মিৰজমলাৰ আক্ৰমণত মুছলমানে গড়গাওঁ লৈছিল গৈ। তেতিয়াৰ দিনত নগাওঁ খণ্ডই

---

* এওঁ ৰঙ্গামটীয়া বৰুৱাই হব পায়।

† ৰায় বাহাদুৰ আনন্দচন্দ্ৰ আগৰৱালা ডাঙৰীয়াই তেখেতৰ 'গোৱাল-পাৰাৰ পুৰণি বিবৰণী'ত লিখিছে—'ধুবুৰীৰ এটা টিলাত শিখ জাতিৰ এখন গুৰুদ্বাৰ বা সত্ৰ আছে। তাতে গ্ৰন্থ ছাহেব, খড়্গ আৰু চক্ৰ আছে। সেই ঠাই ডোখৰ আশ্ৰমৰ নিচিনা। শিখ গুৰু তেগবাহাদুৰ অসমলৈ আহোতে সেই গুৰুদ্বাৰত কিছুদিন বাস কৰিছিল। এই টিলাৰ বিষয়ে এনে প্ৰবাদ আছে যে, আকবৰ (আওৰংজেব?) বাদশ্বাহৰ সেনাই কামৰূপ ৰাজ্যৰ পশ্চিমাংশ জয় কৰিলত সেনাপতিৰ আদেশ মতে শিখ সেনাবিলাকৰ প্ৰতিজনে এছাব এছাব মাটি আনি সেই ঠাইত পেলালে আৰু তাতে সেই জয়স্তম্ভ বা টিলা হ'ল। তেতিয়া সেনাপতিয়ে তাত খড়্গ থাপি সত্ৰ পাতিলে। সেই সত্ৰ শিখবিলাকৰ এখন প্ৰধান তীৰ্থস্থান।

ধুবুৰী অঞ্চলত বগৰীবাৰীৰ ফালে কোনো ৰামৰাজাৰ গড় আৰু পুখুৰী থকা শুনা যায়। ৰাজাৰামেই যে ৰামৰাজা তাত কোনো সন্দেহ নাই।

উজনি অসম সোমোৱাৰ চুৱাৰ আছিল। আমি ওপৰত তেগবাহাদুৰ আহোঁতে ৰামসিংহ লগত শিখ সৈন্য অহাৰ প্ৰমাণ পাওঁ। গতিকে আনবোৰ আক্ৰমণতো যে শিখ সৈন্য আছিছিল, তাৰ কোনো সন্দেহ নাই। সেইদৰে মান খেদিবলৈ অহা ইংৰাজৰ ফৌজৰ লগতো শিখ সৈন্য আহিব পাৰে। সেই সৈন্যবোৰৰে দুই চাৰিজন ৰেমাৰ আক্ৰান্ত পৰিয়ে হ'ক বা আন কোনো কাৰণত নগাওঁ খণ্ডত ৰৈ গৈছিল। সিহঁতে মূল সেনাৰ দলবপৰা এবা পৰি অতি দূৰ পঞ্জাব দেশলৈ যোৱা আশা এৰিলে আৰু ইয়াতে অসমীয়া তিৰোতা বাৰি বসতি কৰি থাকিল। সিহঁতৰে সতি-সন্ততি পুৰুষ পৰম্পৰায় বাঢ়ি যোৱাত সিহঁতৰে একোখন সৰু-সুৰা গাঁৱ দৰে হৈছে।

আজিকালি অসমৰ অনেক ঠাইত বেহা বেপাৰ, কাৰবাৰ আদি কৰিবলৈ পঞ্জাবৰ শিখ মানুহ সোমাইছেহি আৰু ব্যৱসায়ত উন্নতি কৰি কোনো কোনো চহৰত শিখ ধৰ্ম্মমন্দিৰো তুলিছে। তেনে মন্দিৰ গুৰাহাটীতো এটা হৈছে। সিদিনা ২৫ নৱেম্বৰ তাৰিখে সেই মন্দিৰত নানক-গুৰু উৎসৱ সমাৰোহেৰে হৈ গ'ল। তাত আমাৰ দেশৰ অনেক অসমীয়া শিখেও যোগ দিছিলহি। তেওঁলোকক পঞ্জাবী শিখবিলাকেই মাতি আনিছিল নে আমাৰ বিলাকেই উপযাচি লগ লৈছিল কব নোৱাৰোঁ। ধৰ্ম্মকাৰ্য্যত যোগ দিয়ক, তাত একো হানি নাই। কিন্তু তেওঁলোকে যেন তেওঁলোকৰ পূৰ্ব্বপুৰুষসকলৰ আদিভূমি পঞ্জাবৰ মানুহ পাই সম্পূৰ্ণ পঞ্জাবী হৈ অসমীয়াৰ ওচৰত অপৰাগী নহয় এয়েহে বাঞ্ছা কৰোঁ। তেওঁলোক আজি অসমত ৩০০-৪০০ বছৰ ধৰি বাস কৰি আছিছে; অসমীয়া কোচ, কেওট আদি জাতিয়েও তেওঁলোকৰ ছোৱালী বিয়া দি তেওঁলোকে সৈতে সম্বন্ধ সূত্ৰত আবদ্ধ হৈছে। তেওঁলোকৰ কি মুনিহ, কি তিৰোতা সকলোৱে অসমীয়া সাজ-পাৰ, ভাষা, আচাৰ ব্যৱহাৰ সকলোকে লৈ যোল অনাই অসমীয়া হৈ পৰিছে। তেওঁলোকৰ ল'ৰাই স্কুলত অসমীয়া শিকি অসমীয়া বুলি পৰিচয় দিছে। অসমৰ কোনো কোনো ওকৰেও তেওঁলোকক কোচ, কেওট আদি জাতিত তুলিবলৈকে আপত্তি কৰা নাই। ইমানখিনি অসমীয়াৰ সহানুভূতি পাবোঁ যেন তেওঁলোকে ইমান দিনৰ মুৰত অসমীয়াক যিণ কৰি এৰি নেপেলায়।

তেওঁলোকৰ ধৰ্ম্ম পঞ্জাবৰ হ'ক, তাত কোনো আপত্তি নাই। কিন্তু তেওঁলোকৰ কৰ্ম্মক্ষেত্ৰ অসম। তেওঁলোকে উপজি প্ৰথম পোহৰ দেখিছে অসমৰ; মুখৰ মাত বা ভাষা পাইছে অসমৰ; অসমৰ অন্নে প্ৰতিপালিত আৰু অসমৰ তেজ-মাংসেৰে পুষ্ট হৈছে। এনেস্থলত, আমি আশা কৰোঁ, তেওঁলোকে অসমীয়াক সাৱটি ধৰি থাকিব, সাৱে বলে বুদ্ধিয়ে অসমীয়াক তেওঁলোকৰ আদৰ্শত চলিবলৈ শিকাব। তেওঁলোকে প্ৰথমতে অসমীয়ালৈ ভাবিব, তাৰ পিছত আনলৈ। অসমীয়াও তেওঁলোকৰ ওচৰত অকৃতজ্ঞ নহয়। অসমীয়াই তেওঁলোকক সিহঁতৰ মাজত পাই গৌৰৱ অনুভৱ কৰে আৰু বীৰজাতিৰ বংশধৰ বুলি সম্মান কৰে।



ৰাজবন্দী

গল্প—

— শ্ৰীযুত হলীৰাম ডেকা, এম্-এ, বি-এল

"ৰবমইনা কালিলৈ যাব অ' বোপাৰ মাক!"

"কিবা চিঠিপত্ৰ পালে জানো?"

"এবা, এইখন নহয় টেলিগ্ৰাফ।" পচি "ষ্টাৰ্টিং টু-মৰো ওৱাৰ হানৰেড টু ভিক্টোৰিয়া লজ ডেলহি।"

"পিছত নো ইবেলি কেনে দেখিছে? আগেয়ে তো ৰোগাই ফেল কৰি পোৱা নাই? গুৰু-গোসাঁইৰ ধৰ্ম্মে গাহথিনি হৈ আহিলে ভাল আৰু। পাছ হলেই বোলে ৰিণাৰ বৰচাহাব!"

"বচোন, হলেহে হোৱা। পাছ কৰিলেও নিনিয়ে নহয়। মান্ত্রিজৰ ফালৰ লবাবোৰ হেনো অথাইতং, সিহঁতক চেৰ পেলোৱাই বৰ টান। বচোন, ফেল হলেও কামত আহে, পৰীক্ষাটো দি থ'ক।"

"ছিঃ ফেল হোৱাৰ কথা কিয় কয়?"

"তই মোতকৈ জনাজনী নোলাবিচোন। মইহে দেখিছো কেইজনে এই পৰীক্ষাত ফেল কৰিও তাবে ভাগতে হাকিমি, মকুপি পাইছে। সিদিনাখন কমিচনাৰ চাহাবৰ কাণ চুৱাইছো। তেওঁ কৈছে—অৰ বাইট্ লেট্ হিম এপিয়াৰ, ষ্ট্যাণ্ড উইল বি সমথিং। মই লাহেকৈ কলো, ইউ আৰ দি ম্যান…"

ইমানবোৰ সুবুজা শব্দৰ একেলগে প্ৰয়োগ দেখি তপন চলিহাৰ মাক অলপ অপ্ৰস্তুত হ'ল, অৱশ্যে ই তেখেতৰ পক্ষে নতুন অভিজ্ঞতা নহয়; চাহথেতিৰ উন্নতি হোৱাৰ লগে লগে আৰু চাহাবসকলৰ নিমন্ত্রণ পোৱা দিনধৰি এনেভাৰে তেখেতৰ গিৰীয়েক ৰবিলাল চলিহাই বিদেশী ভাষাত কথা-বতৰা অবাধে কয়। চলিহানীয়ে সুধিলে—"দেউক যে সোৱঁৰণী দেখুৱাৰ কথা আছিল?"

"আহিব, এতিয়াই আহি পাব। কোমল চাউল তিয়াইছা?"

"কেতিয়াবাই।"

"চাবাছ মাক, কিন্তু দেউক একো নকবি দেই, চাওঁচোন গণিপতি কি উলিয়ায়।"

যথাসময়ত ৰামকান্ত দেউ আহি ওলাল। জ্যোতিষী হিচাপে তেওঁৰ বৰ নাম, নিজেও তেওঁ নিজৰ বিষয় কব লাগিলে অলপো সঙ্কচে নকয়। তেওঁৰ পৰিচয় দিবলৈ হলেই স্বৰ্গীয় মাণিক চন্দ্ৰ বৰুৱাৰ পৰা আৰম্ভ কৰি ৰায় বাহাদুৰ ভুবন ৰাম দাস, হৰিবিলাস আগৰৱালা, জগন্নাথ বৰুৱা, জীৱনৰাম ফুকন নানাজনৰ সোৱঁৰণীৰ পৰা দুই চাৰিফাকি কথাৰ উল্লেখ কৰে। মানুহৰ বিশ্বাস নহৈ নাথাকে যে তেওঁ এটা অতীতৰ জীৱন্ত মূৰ্ত্তি। তপনৰ কুহিয়ন দেউৰ হাতত পৰাত চলিহা ডাঙৰীয়াই কলে, "অলপ ভালকৈ চ'ক, এই লবাটোৰ বিষয়ে অলপ সন্দেহ অছে।" বাপুৰে অলপ পৰ ইপিনে সিপিনে আঙুলি ফুবাই কলে—"ভাল কুণ্ঠী। সন্দেহৰ একো কাৰণ নাই। সিংহাসনী যোগ আছে।" চলিহাই অলপ উৎসাহিত হৈ কলে, "চ'কচোন এতিয়া তাৰ কেনে সময় আহিছে।" বাপুৰে অলপ চিন্তাষিত হৈ কলে—"এতিয়া বৰ সুবিধা নহয়। শুকৰ বন্ধন দশা। নিগ্ৰহ হব লাগে, বাজ-নিগ্ৰহ। পীড়া, মনস্তাপ, কায়িক ক্লেশ, বন্ধন। উহুঁ, এতিয়া ভাল বুলিব নোৱাৰি, কেবাটাও পাপগ্ৰহৰ দৃষ্টি পৰিছে।" বাপুৰে এটা চমুনিঃশ্বাহ কাঢ়ি কলে—"বাহৰ অন্তর্দশা বেছি দিন নাথাকে, ভয় নাই।" চলিহাৰ বিশ্বাস হ'ল যে কিবা এটা অমঙ্গল নিশ্চয় ঘটিব। বেছি কথা সুধিবলৈ সাহ নকৰিলে, সামান্য পাবিশ্রমিক দি বাপুক বিদায় দিলে। বাপুৰে অপ্রসন্নভাৱে তাকেই গ্ৰহণ কৰি উঠিল। চলিহানীয়ে আহি সুধিলে, "বাপু কলে গ'ল?" চলিহাৰ মনতে নহ'ল যে দেউক জলপান দিবলৈ মৈত্ৰীয়েক

ভিতৰত বৈ আছিল। তেওঁক একো নমতা দেখি আকৌ সুধিলে, "সোৱঁৰণী কেনে পালে?" "যা, যা, আমনি নকৰিবি, দেউৱে ভালকৈ চাব নোৱাৰিলে, এঠাইত হলেহে পাৰে, সাতোফালে জোৰা মাৰি ফুৰিলে কেনেকৈ হয়? এইবোৰ সামৰি-সুতৰি থ', মই শান্তিপুৰলৈ পঠিয়াম।"

পিছদিনাখন চলিহাই তপনলৈ টকা পঠিয়াবলৈ ডাকঘৰলৈ গৈছে, আন কাল নিজে নাযায় কিন্তু মনৰ খুদুৱনিত পৰি আজি গৈছিল। মনিঅৰ্ডাৰৰ ফৰম লিখি উঠি by wire বুলি লিখি দুবাৰমান তাৰ তলেদি আঁচ দিছে, এনেতে টেলিগ্ৰাম পিয়নে এখন চলিহাৰ নামৰ টেলিগ্ৰাম আনি দিলে। চলিহাই খুলি পঢ়ি চালে, কলিকতাৰ পৰা অহা টেলিগ্ৰাম, তৰুণ নামৰ ঢেঁকীশালৰ মৌজাদাৰৰ লৰাই কৰা—"Tapan arrested under Police Act kept in hazat refuses to furnish security" (তপনক পুলিচ আইনমতে গ্ৰেপ্তাৰ কৰি হাজতত ৰখা হৈছে,জামিন দি ওলাই আহিবলৈ অনিচ্ছুক)। চলিহাৰ চুলিৰ আগেদি জীউ গ'ল, তেওঁ সপোনতো ভবা নাছিল এনে কেলেঙ্কাৰত পৰিব বুলি; তেওঁৰ ঘৰ সদায় ৰজাৰ বিশ্বাসভাজন হৈয়ে আহিছে আজি যে তেওঁৰ পুত্ৰই পুলিচৰ আইন অমান্য কৰিব তেওঁ কেনেকৈ জানে? ঘৰলৈ আহি লৰা-লৰিকৈ টালিটোপোলা বান্ধি গধূলিৰ গাড়ীত কলিকতালৈ যাত্ৰা কৰিলে। তাত গৈ সবিশেষ শুনিলে, তপনে বস্তু-বাহানি আন এজন বন্ধুৰ লগত আগতে হাওৰালৈ পঠিয়াই দি খোজ কাঢ়ি অলপ দূৰ হেৰিছন ৰোডেৰে যাবলৈ ধৰিছিল, এনেতে পুলিচে আগৰ পিনে স্বৰাজৰ নিচান লোৱা দল এটাক গ্ৰেপ্তাৰ কৰিছে। তপনেও গৈ সেইখিনি পাইছে, পাছৰপৰা পুলিচে মানুহ আগুৰি নিছে, যি ওলাল ওলাল, যিসকল চেপত পৰিল তেওঁলোক আটাইকে গ্ৰেপ্তাৰ কৰা হ'ল। তপনে পুলিচ কমিচনাৰলৈ লক্ষ্য কৰি কলে যে তেওঁ আই-চি-এচ পৰীক্ষাৰ্থী, স্বৰাজদলৰ মানুহ নহয়। কমিচনাৰে ব্যঙ্গ উক্তি কৰি কলে —"Oh, you Indians one and all have sympathy, no matter to what party or creed you belong (ওহ, তোমালোক সকলো ভাৰতীয়ৰে ইয়ালৈ সহানুভূতি আছে, জাতি বা সম্প্ৰদায়ত যিয়ে নোহোৱা)। তপন ৰীতিমতে হাজতত বন্ধ হ'ল। এই বাতৰি পাই কেজনমান অসমীয়া ছাতৰ উধাতু খাই লৰি গৈ তেওঁৰ জামিন হবলৈ ওলাল। পুলিচেও জামিনত এৰি দিবলৈ সন্মত হ'ল। কিন্তু তপনে বন্ধুসকললৈ চাই কলে, "এনে অন্যায় অবিচাৰ যেতিয়া নিতৌ হবই লাগিছে, ময়ো নহয় অলপ মনত থকাকৈ কষ্ট খাওঁ, সেয়ে ভাল"।

ৰবিলাল চলিহা কলিকতা পোৱাৰ পিছদিনাই তপনৰ বিচাৰ হ'ল। বিচাৰতো তপনে একে কথাকে কলে কিন্তু শাস্তি লোৱাত একো আপত্তি নাই বুলি জনালে। উলুৰ লগত বগৰি পোৱা যায় বুলি ম্যাজিষ্ট্ৰেটজনে হাঁহি তেওঁক কলে আৰু তেওঁক নিৰ্দ্দোষী বুলি মুক্তি দিলে। চলিহাই তপনক কলিকতাত নেৰি ঘৰ পোৱালে। ঘৰলৈ আহি তপন সৰহ দিন বহি নাথাকি স্থানীয় কংগ্ৰেচ কৰ্ম্মীদলৰ লগ ললে।

(২)

ৰবিলাল চলিহাৰ মনত সুখশান্তিৰ ভালেখিনি হ্ৰাস পালে। তেওঁ অলপ দিন পাছতে তপনৰ বিয়া পাতোঁ বুলি সঙ্কল্প কৰিছিল। ছোৱালীৰো দিহা হৈছিল। ৰামভদ্ৰ বৰুৱাই বাগিচাত ডাক্তৰী কৰি ভালেখিনি টকা গোটাই-ছিল। দুবছৰমান আগেয়ে ৰায় চাহাব খিতাপো পাইছে আৰু অনাৰেৰি ম্যাজিষ্ট্ৰেট হোৱাৰ কথাও ঘুনুক-ঘানাকৈ চলিছে। দিখৌ নৈৰ পাৰতে সুন্দৰ তেওঁৰ বঙ্গলা ঘৰ। চাহাব-চুহাব চিক্কাৰলৈ গলেও ৰায় চাহাবৰ তাতেই খিতাপি হয়। হাতীয়ে-ঘোৰাই চাকৰে-ভেৰোণীয়াই বৰুৱাৰ পৰিয়ালটো ডাঙৰ, কিন্তু নিজৰ মানুহ তেওঁলোক গিৰীয়েক ঘৈণীয়েক দুই প্ৰাণী আৰু তৃতীয়জনা তেওঁৰ কন্যা কমলা। বৰুৱাৰ আশ্ৰিতৰ সংখ্যা নাই, কিন্তু বন্ধুৰ ঘৰত অতি কম। ৰবিলাল চলিহাই তপনলৈ কমলাকে চাই থৈছিল, উভয় পক্ষৰ ভিতৰত এই সম্বন্ধে কথা দিয়াদিয়িও হৈছিল।

তপনে কলিকতা এৰি ঘৰলৈ অহাত দেউতাকে ইকাণ-

সিকাণকৈ বিয়াৰ কথা তেওঁৰ কাণত পেলালে। তেওঁ তাৰ উত্তৰত পিতাকক অতি বিনীতভাৱে জনালে যে বিয়াৰ সময় পাৰ হৈ যোৱা নাই। বিয়া পিছতো হব পাৰে; কিন্তু দেশৰ এতিয়া যি দুৰৱস্থা তালৈ বেছি মনোযোগ দিয়াহে আৱশ্যক। চলিহাৰ মনত যদিও এই যুক্তিয়ে তিমান খাপ নাখালে, বিয়াৰ বিষয়ত জোৰ কৰা অন্যায় ভাবি নিজে একো নকলে। চলিহানীয়ে এই প্ৰস্তাৱকে তপনক বুজাবলৈ যত্ন কৰিলে নানা ভঙ্গীত, কিন্তু একো ফল নধৰিলে। তপনে ঘৰবাৰী এৰি সম্প্ৰতি অনাইবনাই ফুৰাকে কৰ্ত্তব্য বুলি ললে।

ভগনীয়া চুকত এখন ৰাজহুৱা সভা বহাৰ কথা আছিল। এইসকল সভাক জনসাধাৰণে গান্ধীৰ মিটিং বুলিয়ে জানিছিল। সেই সভালৈ চহৰৰ ভালেকেইজন উকীল আৰু আন কংগ্ৰেচকৰ্ম্মী অহাৰ কথা আছিল। তপনে কংগ্ৰেচৰ প্ৰচাৰ কাৰ্য্যত ঘূৰি ঘূৰি এই মিটিঙৰ সম্ভেদ পাই নিৰ্দ্ধাৰিত দিনৰ এদিনৰ আগতে সেই গাৱঁলৈ গ'ল। আগতে নগলে লাগ বোলোতে বেছি মানুহ আজিকালি গোট খুওৱা টান। কাৰণ সেই সময়ত বহুত কানীয়াই আশঙ্কা কৰিছিল যে এই সভা-সমিতিবোৰলৈ যোৱাৰ অৰ্থ তেওঁলোকৰ জন্মস্বত্ব ত্যাগ কৰা। আজন্মকাল যি কানি-বিহৰ লগত মিতিৰালি কৰি আহিছে আজি তাক এটা নিমিষতে কেনেকৈ ঘোৰ শত্ৰু বুলি ঘোষণা কৰে আৰু নহয় ঘোষণাও কৰিলে, পটাখন পুৰি পেলালে সেইখন কিনিবলৈ পাই পইছা পায় ক'ত? সেই কাৰণে তেওঁলোকে পাৰেমানে মানুহক কৈ ফুৰে, "বোপাইহঁত! এই সবাহলৈ যোৱা মানে কিলকীৰ্ত্তন খোৱা, নাযাবাহক ঔ দেউতাহঁত! আমি যে তাৰ কাষকে নাচাপোঁ।" তেওঁলোকৰ উদ্দেশ্য—যাতে এনেবোৰ অনুষ্ঠান লোপ পায়, কংগ্ৰেচকৰ্ম্মীবোৰৰ ইচ্ছা তাৰ বিপৰীত।

তপনে ৰদে-ভাগৰে বৰ কষ্ট পাইছিল। সুখত ডাঙৰ হোৱা আলসুৱা দেহত ইমান কষ্ট সহ্য নহৈছিল, কিন্তু মনৰ দৃঢ়তাই তেওঁক অলপো কাতৰ হবলৈ দিয়া নাছিল; অলপ ক'লা পৰিলেও শৰীৰৰ কান্তি উজ্জ্বল হৈয়ে আছিল। ভগনীয়া চুক পোৱাৰ আগতে বাটৰ কাষৰ আঁহত এজুপিৰ তলত তেওঁ জিৰালে। ৰ'দ আৰু ভাগৰত শৰীৰ অৱশ হৈ আহিছিল,জুৰ বতাহ লাগি চকু মুজ খাই আহিল। লাহেকৈ হাতত শিতান লৈ গছৰ তলতে ধলি পৰিল, জাপিটোকোন কাষতে থাকিল। টোপনিৰপৰা সাৰ পালে গৰুগাড়ীৰ কেৰকেৰ শব্দত। চকু মেলি চাই দেখিলে সেচ্ছাসেৱকে আদৰি নিয়া এখন 'আছোৱাৰী' গাড়ী, অনুমান কৰিলে কোনোবা মহিলা আহিছে। তেতিয়া বেলি পৰো পৰো, পশ্চিম আকাশ ৰঙচুৱা, চৰায়ে দীঘল সুহুৰি দুই এটা মাৰি নিজৰ বাহ অভিমুখে যাত্ৰা কৰিছে, ধানৰ ডাঙৰিৰ ভাৰ দুই এখন লৈ দুটি-এটিকৈ খেতি-পথাৰত বন কৰা মানুহ ঘৰমুৱা হৈছে। তপনে যদিও স্বেচ্ছাসেৱকৰ মাজত দুই এটা চিনামুখ দেখিছে, কাকো মাতিবলৈ তেনেকৈ তেওঁৰ মন যোৱা নাই। এনেতে গান্ধী টুপী পিন্ধা দক্ষিণা বৰাই একেচাৰে তেওঁৰ কাষ চাপি—"আগৰ পৰাই খাপ লৈ আছা? তুমিও দেখিছো বেছ গন্ধ পোৱা"। এই বুলি কৈ তেওঁৰ কাষতে বহিল। তপনে সুধিলে, "কিহৰ কথা কৈছা?" "ইমান আচহুৱা নহবা-চোন।" আৰু মনে মনে কলে "ৰমলা, তেওঁৰ মাক, মিছেছ বৰা আৰু কোনোবা দুগৰাকী।" তপনে সুধিলে, "সভাপতি কেতিয়া আহিব?" "তামুলীৰ কথা সুধিছা? তেওঁৰ বোলে কালি এটা চেচন্স্ মোকৰ্দ্দমা আছে। জনাই নহয় উকীল কেইজনে আমাৰ ওপৰতে 'টেক্কা' মাৰে। নাম কৰিব হলে তেওঁলোকে। সভাপতি তুমিয়ে হবা।" "ছিঃ" তপনে কলে। "ছিঃ কি বাপু! শোভন্তি মালা গলায়াং তব, নহলে মম।"

পিছদিনাখন মহাপয়োভৰেৰে মিটিঙৰ সূচনা হল। স্থানীয় বয়সিয়াল কিৰ্পিণ ধনী এজনক সভাপতি কৰা হল। দক্ষিণা, তপন সকলোৱে নিজৰ সাধ্য অনুসৰি মানুহক দেশৰ অৱস্থা বুজাবলৈ চেষ্টা কৰিলে। চহৰৰপৰা যোৱা আদহীয়া আৰু পকাচুলীয়া মহিলা দু-এগৰাকীয়েও অনুপস্থিত আইসকলক উদ্দেশ্য কৰি কলে যে এৰী মুগা পাট তেওঁলোকৰ হাতৰ বস্তু। বিদেশী মহাজনসকলে দিয়া সূতালৈ হাত নাপাতি নিজৰ ঘৰৰ বস্তুৰ ব্যৱহাৰ কৰাহে এই সময়ত বৰ আৱশ্যক হৈ পৰিছে। কেবাজনো

শ্বেচ্ছাসেবকর উদ্দাপি পাই বমলাও কবলৈ উঠিল। তপনে আশা কবিছিল যে লাজে তেওঁক অন্নশ কবিব, কিন্তু সেই আশাত তেওঁ নিবাশ হ'ল। তেওঁব মুখত কথা আথে ফুটা দিলে, সকলো বক্তাকে চেব পেলাই শ্রোতা-সকলব মনত তেওঁ নিজব বাবে ঠাই বহলাই ললে। তপনে থব লাগি চাই বল, তেওঁব হেজুলী গালব ওপবেদি বিবিজি উঠা সেই যৌবনব আভাবে, চকুযুবিত স্ফুট উঠা তেজবিতাবে। বমলাই কি কলে তেওঁব কাণত নোসোমাল কাবণ তেওঁ অতিকে তন্ময় আছিল আন কিছুমান চিন্তাত। দক্ষিণাই তপনক কলে, "all pleasant nonsense" তপনে বিবক্ত হৈ কলে—"তুমিয়ে বব sense কৈছা।" হাঁহি দক্ষিণাই কলে—"ভাপতে ইমান গবম হৈছা, কাষ পালে দেখিছো গলি যাবা।" তপনে খণ্ডতে একো নামাতিলে। বমলাই বহুত হাতচাপবি আক হিয়াব পোবণিব মাজত বক্তব্য সামবিলে, অভিনয়ব অভিনন্দিত ভাবধীয়াব দবে মুব চুপিয়াই বক্তৃতা মঞ্চবপবা নামি আহিল, ইচ্ছা কবিয়ে হক বা লক্ষ্যভ্রষ্ট হৈয়ে হক, মাকব কাষ নলৈ তপনব কাষ ললে আক তেওঁব নিচেই ওচবতে বহিল। আন কোনো বক্তা নোলোৱাত সভা-পতিয়ে কবলৈ থিয় দিলে আক বমলাই কথা কোৱা সময়ত অন্ততঃ তেওঁ অনুমান কবিছিল যে এনেভাবে সভাপতিব আসন লোৱা কম সস্তোষব বা সন্মানব কথা নহয় আক তেওঁ ইয়াকো জানিছিল যে এই পদবী বাখিবলৈ হলে কিঞ্চিৎ সঞ্চিত অর্থত্যাগব আৱশ্যক হব। হ'ক, ধন লগত যাব নে? নালে লাগে। তেওঁ আন একো নকৈ পোনতে আৰম্ভ কবিলে "আজিব কথা মোব মনত যুগমীয়া হৈ থাকিব আক নগদ চিকাকণ দুশ টকা নই কংগ্রেচ পুঁজিলৈ আগবঢ়ালো। সমর্থ হোৱা হলে আক দিলো হেঁতেন।...."মানুহে বুজিলে তেওঁব মনত এইটো কিহব প্রভাব; কাবণ তিকতাৰ বিষয়ত তেওঁব বাপ বেছি, নিজে ঘবতো সদায় দুহাতিকৈ বাখিছে, কেতিয়াবা বেছি হলেও তাব কম হবলৈ নিদিয়ে। মানুহে সুধিলে কয় "ঘবত কাম নচলে। আজিকালিব দিনত বান্দী-বৈচেবী বখা কি কথা জানিছাই নহয়, তাইহঁতেই গিবিহঁতনী হৈ বহে। তাতকৈ থিবাতনী কবি আনি বান্দী বোওৱাই ভাল, ছুগোণিবো বা চখা।" তেওঁব বক্তৃতা দীঘল কবিবলৈ পাবেমানে চেষ্টা কবিছে, সমস্তুদাসকলব মাজতো একেলগে নানা প্রশ্ন চলিব ধবিছে। দক্ষিণাই আগবাঢ়ি গৈ টকা দুশ তেতিয়াই আদায় কবাব চেষ্টা কবিছে, নহলে বক্তৃতাব বাণীত দিয়া টকা চেচা হলে উলিওৱা টান হয়। বহুত বাহুছা কামত ঘুবি তেওঁব এই অভিজ্ঞতা হৈছে। ইপিনে বমলাই তপনলৈ চাই সুধিছে "মোব কোৱাত বেৰা হ নে?" তপনে সহজতে একো উত্তব দিব নোৱাবিলে; তাব কাবণ দুটা, তেওঁ বমলাব বক্তৃতাত অতি উদ্বেলিত হৈছিল আক দ্বিতীয় কাবণ ছোৱালীব লগত কথা কোৱাব তেওঁব বেছি অভ্যাস নাছিল। আজি কথাব ভিতবেদি তেওঁক শলাগিবলৈ টান পাইছিল, কিন্তু চকুমুখে এনে এটা পুজাব ভাব উপচি পবিছিল যে সি বমলাব তীক্ষ্ণ দৃষ্টি একবাব নোৱাবিলে। "বব সুন্দব হৈছে" তপনে শেষত কলে। বিজয়িনীব গৌবব লৈ বমলাই কলে—"চেষ্টা কবিলে আপোনাবো হব; আপোনালোকে ববকে কিতাপপত্র, বুৰঞ্জী আদিব কথা কয়। এইবোব সমাজত সেইবোবব কোনো আৱশ্যক নহয়" ইয়াব মাজত যিখিনি দাম্ভিকতাব ভাব আছিল, তপনব কাণত নোসোমাল, তেওঁ ভাবিলে—"বমলা কেনে চকুব।" ছুয়োবে মাজত বন্ধুতাব সূচনা হ'ল।

ইয়াব কেইদিনমান পাছত এদিন গধূলি কিনকিনীয়া বৰষুণ। আকাশ মেঘে ধকা। বাহুচাহাব বামভদ্র বক্তাব ঘবত কংগ্রেচকর্ম্মী সাতজনমান সোমাল, বাতিটো কটাব বুলি। কংগ্রেচকর্ম্মীসকলব পবিচয় লোৱা হ'ল, তপনেও নিজব পবিচয় দিলে। ভিতবপবা তপনব মাতি পঠিয়ালে। বক্তা তেতিয়া ঘবত নাই। তপনে অতি সঙ্কোচ আক দ্বিধাভাবে বক্তাব ভিতব মহললৈ গ'লা বক্তানীয়ে আগভেটি আহি তপনক ভিতব ঘব পোৱালে। পিবালিত বহিবলৈ দি ঘবত্তা কথা পাতিলে। তপনে কলে "বাহিবত কেবাজনেও মোক চাই আছে, পাছ নকবোঁ।" বক্তানীয়ে কলে "মই তেওঁলোকলৈ চাহ পঠিয়াইছো, তুমি অধীব নহবাচোন।" বক্তানীয়ে পাতলি

শেৰ কবি সুধিলে "তোমাব এই বযত কেতিয়া এবিবা বোপা?" তপনে নীবভাবে কলে "ব্রত একো নহয় জেনে।" "তথাপি?" "ইমানদিন অভিকচি থাকে, নেবিছো।" "কেতিয়ালৈকে থাকে জানিব পবা হেঁতেন ভাল আছিল।" "সঠিককৈ কব নোৱাবিছো।" "চোৱা বোপা, বব ছাবিয়াস, ছোৱালীজনী তোমালৈ দিওঁ বুলি। আক এইবোব অথন্তব নোহোৱা হলে ইমানদিন তোমাব ধন তোমাব হাততে পবিল হেঁতেন। আমি নো কেইদিন আছো, তোমালোকব সুখেই সুখ।" বক্তানীব কথাব অন্তৰ্নিহিত তপনক মুগ্ধ কবিলে। তেওঁ আক কবলৈ ধবিলে "তামোলপাণ কটোৱা হৈ গৈছে, তোমাব আৰম্ভি হলে আক দুই পক্ষব অশুচ-বিশুচ নাথাকিলে শুভকর্ম্ম হেতিয়াই হেতিয়াই হব পাবে।" তেওঁলোকব মাজত সম্বন্ধ যে ইমানদূব আগবাঢ়িছিল তপনে নাজানে। এনেতে দুৱাবমুখব পর্দ্দাখন কাতি কবি এখনি শুভনি মুখে ডুমুকি মবা দেখা পালে; বগা ননি মুখ, শান্ত উজ্জ্বল চকু, চোকাত পবা আঙুলি কেইটি সুঠাম সোণ-বৰণীয়া। মাকে মাতিলে "আইটী চাচোন।" জীয়েক তাব আগতে আঁতব হৈছে। এনেতে বাহিবত শিজু গিজনি শুনিলে, দেহতাব নহয়, দেউতাব। বামভদ্র বক্তাই আছি কংগ্রেচকর্ম্মীসকলক দেখা পাই কলে—"তোমালোক ইয়াত কিয়?" তেওঁলোকে কলে—"বাতিটো ইয়াতে থপি পুৱাইলে যাম বুলি ভাবিছো।" "আৱশ্যক নাই, এতিয়াই গোৱা।" দক্ষিণাই আগবাঢ়ি সৰু হৈ কলে—"দেউতা, ববষুণ, ঘিটিমিটীয়া আন্ধাব; ইয়াতে—আপোনাব বাটচবাটোত পবি থাকিম, আমাক তিবিনদাল কুটা এগছো নালাগে। আমি একো আমনি নিদিওঁ।" বক্তাই খং কবি কলে, "হাবামজাদা, দেশব মানুহক ভোদা পাই ঠগালি বুলি মোব ইয়াত সেই সুবিধা নিবিচাবিবি। তহঁত বাহিবা ঘবত পবি থাকিলেও আপদ। Harbouring offenders, (দোষীক আশ্রয় দিয়া) এটা ডাঙব দোষ, ফৌজদাবী আইনব কিবা এটা ধাবা", বক্তাই ম্যাজিষ্ট্রেট হবব আশাত আগবঢ়নি মিনাম পাবে বঙ্গালী ইংবাজী মিহলোৱা কিতাপ আনি ফৌজদাবী আইন আয়ত্ত কবিব ধবিছিল।

কথাব মাজেদি এনেকৈ দুই এটা বিবিঙ্গনি বা ছিটকনি ওলাল। বক্তাই এখন্তেক শ্বেচ্ছাসেবক সকলক বব নিদিলে। চাকব এটাক কলে—"শুকান কামীব জোঁব এটা ইহঁতক বান্ধি দে।" দক্ষিণাই গহীনাই কলে "আমাক আপোনালোকে ধেমেলও বাধে ঘোজে নেখোৱে। ভয় নাই, এনেই যাম।" যি দুই এজনে ধোবা-ঘুমটি মাবিছিল তেওঁলোকেও আঙুমুবি দি উঠি বক্তাব টোলব বাহিব ওলাল। বক্তাই গৈ ভিতবত এই বাতবি দিলে, তপনে আগতে তেনে কিবা এটা অনুমান কবিছিল; তেওঁ ঘপাই যাবলৈ উঠিল। বক্তানীয়ে ববকৈ ধবিলে ববলৈ, তপনে সেৱা এটা কবি বিদায় হ'ল। বক্তানীয়ে খুজতে বাতি ভাতকে নাথালে, জীয়েকক লিগিবীয়ে মাতি মাতি সাব পোৱাব নোৱাবিলে, বক্তাব খোৱা-বোৱাত কেনে হল তেওঁ নিজেহে জানে।

(২)

তপনৰ এটা অবসাদ আহিল। বহুত সভা-সমিতিত বক্তৃতা দিলে, একে কথা বহুত ঠাইত কলে, কৈ কৈ ভাগবিল। দেশব অৱস্থাব অলপো সালসলনি নাই--অভাব, অভিযোগ, আর্ত্তনাদ, হাহাকাব; বিবাম নাই, বিশ্রাম নাই, শ্রমানব বাবুব দবে হোহোবনি। অশান্তিব জুই একালে লাগি আনফালে ওলাইছে, সাম্বনাব শান্তিবাবি ক'তো নাই। সন্তানব ওঠ শুকাই লেবেলা লাগিছে, মাকব বুকত পিয়াহ নাই। হালোৱাত পথাবত হাল নাই, গৰুবে খাবলৈ নাপাই মেমেবা লাগিছে। খেতিয়কে খাজনা দিয়ে ক'ব পবা? নিদিলে শাসনযন্ত্রই বা চলে কেনেকৈ? তপনহঁতব উত্তব দুটা হৈ আছিছে, কবব কথা নিচেই নাইকিয়া হৈ আছিছে। সকলোবে ওপবত যে বিশ্বাসব শাসনযন্ত্র নিয়ত বা অনিয়ন্ত্রভাবে চলিব ধবিছে তাকেই তেওঁ অনিচ্ছাতো ভাবিব লাগিছে। ভাবি ভাবি অন্ধকাব দেখিছে। সেই তমোবাশিব মাজত এটি উজ্জ্বল হাঁহিভবা মুখ যেন টো খাই খাই ওপৰ উঠিছে, চন্দ্রমাৰ বীণ পোহব তাব লগত সম্মিলিত হৈ চাবিফালব অন্ধকাব উজলাই তুলিবলৈ মিছাতে যত্ন কবিছে। তপনে হাঁহি কৈছে 'এতিয়া সুখব সপোন কিয়?' লগব কংগ্রেছকর্ম্মীসকলে

মনত পৰিল। দক্ষিণা তেওঁৰ দক্ষিণ-হাত, তেনেই ভাগৰি পৰিছে। ব্যৱসায়ী ৰাজনৈতিক পুৰুষসকল বিপদৰ আশংকাত নিস্তব্ধ হৈছে। বিজয়া সান্ত্বনাৰ গৈৰিক কাপোৰে ভক্তিৰ উন্মেষ কৰিবলৈ এবিছে। বমলাৰ চাক ভাষৰ আগৰ সৌন্দৰ্য্য নাই, ক'ত যেন কামনাৰ ধূলি লাগি মলিয়ন হৈছে। এতিয়া কি কৰ্ত্তব্য ?—নিস্তব্ধতা! বাহিৰত থাকি নামাতি থাকিবৰ উপায় নাই ; ধুলীয়া হৈ সবাহ বাঢ়িবলৈ গলেই এটা নাচন মাৰিব লাগিব। কিন্তু তেওঁক লগা হৈছে নিভৃত চিন্তা, তাৰ পাচত এটা মূৰ্ত্ত হুঙ্কাৰ, প্ৰলয়ৰ ঘনঘোৰ কম্পন, অতৃপ্তিত পুৰি-দেই ভস্মৰূপে বিকাশ।

নাস্তিৰাত আজি বৈ-বৈ হৈ-হৈ। ৰায় চাহাব ৰামভদ্ৰ বৰকটাক জিলাৰ বৰ চাহাবে নিজে ম্যাজিষ্ট্ৰেটৰ ক্ষমতাৰ চনদ দিব। এই উদ্দেশ্যে নানাঠাইৰ বাগিচাৰ খেতাম সকলক নিমন্ত্ৰণ কৰা হৈছে, চৰ্ব্বা, পেয় নানা সুখাদ্যৰ সম্ভাৰ যোগোৱা হৈছে। বিৰাট মণ্ডপত সজান অনুসৰি নানাজন ৰাজকৰ্ম্মচাৰী আৰু নিমন্ত্ৰিত ভদ্ৰলোকসকলক বহুৱাৰ ব্যৱস্থা কৰা হৈছে। কানীয়া ভন্ডুৱা বাহিবা মানুহো বহত আহিছে। তেওঁলোকে শুনিছে বৰকাই পাঁচ সেৰ আফিং আৰু দহ সেৰ ভাং সমস্থানসকলৰ মাজত বিতৰণ কৰি দিব আৰু কোমল চাউলবো দিহা আছে। বৰকাৰ ঘৰৰ আৰু চৰৱৰ আইদেউসকলৰ বাবেও বহিৰবৈলৈ ৰঙাঘৰত বিশেষ ব্যৱস্থা কৰা হৈছিল। ৰজা নোহোৱা দেশত এয়ে জানিবা ৰামভদ্ৰ বৰকাৰ অভিষেক। কিছুমান মানুহে আৰু শুনিছিল যে চেষ্টা কৰিলে ৰাজহা মাফ পাব পাৰি। কিছুমানে এই কথাবাৰ এনেভাৱে বিশ্বাস কৰিছিল যে ৰজা পাটত বহিলে ফাটেকিয়াগ এৰি দিয়ে, আমাৰ বৰকাই কিজানি পাটত বহি উপস্থিত দুখীদুখীৰ খাজনাখিনিকে চৰকাৰত শোধাবলৈ গাত লয়। তেওঁৰ খৰচৰ পয়োভৰ দেখি এনে কথা বিশ্বাস কৰা নিতান্ত অমূলক নাছিল।

যথাসময়ত ঢোল বাজৰ মাজত বৰকাক ম্যাজিষ্ট্ৰেটৰ চনদ দিয়া হ'ল আৰু চাহাবে চুহুকঠানাক অসমীয়াত বুজাই দিলে যে তেখেতে অপবাধ বিচাৰৰ উপৰিও শাস্তি ৰক্ষাৰ কাৰণে বিশেষ শান্তিসেনা বা কনিষ্টবল নিয়োগ ক্ষমতাও পাইছে। দুই এজন চাহাবে হাতচাপবিবে বৰকাক অভিনন্দিত কৰিলে, বৰকাই নতনিবে সকলো আশীৰ্ব্বাদকণে গ্ৰহণ কৰিলে। চাহাবৰ মাজত পানীয় আদান-প্ৰদান হ'ল, দেশী কেবাণী-মহবীসকলে পাছ হোহোকা মাৰি এহোপা ধপাত বা চেলেউৰ ধোঁৱা গিলি আহিল। কানীয়া সকলৰ আশা আশাতে থাকিল, কানি বিতবণৰ একো চিন-চাবেই নাই। স্বৰাজৰ সেৱকৰ থোননি পাই এজন গাওঁবীয়াই বৰ চাহাবে শুনাকৈ কলে—"দেউতা, খেজেনা এলেমি ইবেলিবে মাফ দিলে বাইজ বইখা পৰিল হেঁতেন।" বহুতে এই প্ৰস্তাৱত 'হয়' 'হয়' কৰি উঠিল। চাহাবে ৰায় চাহাবক ইঙ্গিত কৰি জনালে যে এইবোৰৰ বাবেই শাস্তি সেনাৰ আৱশ্যক হয়। বৰকাই বলেবে পাৰিব বুলি এটা সৰু গোঁজৰণি মাৰিলে। চাহাবসকল তাৰ পৰা তেওঁলোকৰ খেলমাটিলৈ বাওনা হ'ল, কাৰণ বৰকাই তেওঁলোকৰ খোৱা-বোৱাৰ দিহা তাতেহে কৰিছিল, হাজাৰ হলেও নেটিভৰ ঘৰত চাহাবে খোৱা কেনে দেখি! বৰকাই চাহাবৰ পৰা তলহতীয়াকৈ গোটা শান্তিসেনাৰ নিয়োগপত্ৰ কেইখন তেওঁৰ বশৱৰ্ত্তী মানুহ কেইজনমানক হইত-সিহাতকৈ তাতেই ভগাই দিলে। বাইজৰ সকলো আশা বিফলে যোৱাত অসন্তোষৰ চিন স্পষ্ট হ'ল। এই সুবিধাকে হাতত লৈ ইমান বেলি চেপত লুকাই থকা তপন চলিহাই বৰ চাহাবৰ বাবে পতা আসন অধিকাৰ কৰি বাইজক বুজাবলৈ ধৰিলে যে "পৰক আশা নিষ্ফল জীৱন। তোমালোকে সন্মিলিত হৈ কবিব নোৱাবা কি? তোমালোকৰ দুখ-কষ্ট ওচাবলৈ আবেদন নিবেদন কিহৰ? সকলোৱে একমত হোৱা, তাতেই সিদ্ধি।....."চাবিওফালে হৈ চৈ লাগিল, নানা বিদ্ৰোহাত্মক কথা মানুহৰ মুখৰ পৰা ওলাবলৈ ধৰিলে। তপনে তেওঁলোকক শান্ত কৰিবলৈ নানা কথা কবলৈ ধৰিলে কিন্তু তেওঁলোকৰ অসন্তুষ্টি মূৰ্ত্তিমান, একোতে দোঁ নাথায়। কোনোবাই লৰি গৈ চাহাবক বাতবি দিলে, সুসজ্জিত পুলিচ প্ৰহৰীবে তেওঁ গৈ তাত উপস্থিত হ'ল। পুলিচে এফালৰ পৰা মাৰ-পিট আৰম্ভ কৰিলে, মানুহেও প্ৰতিবোধ কৰিবলৈ ফেৰ পাতি উঠিল। তপনে অতি উচ্চৈস্বৰে কলে—"মই চোৰী, মোক গ্ৰেপ্তাৰ কৰা, নিৰীহ প্ৰজাসকলক উৎপীড়ন কৰা কিয়?" চাহাবে তেওঁক কলে—"Pacify the mob". তপনে চাহাবৰ বিপদ আশঙ্কা কৰি কাম চপাই নৈ জনসভাক কলে—"এই চোৰা আমি বন্ধু, তোমালোকক দ্রোহ আচবণ নকবিবা, তেতিয়া আমাৰ উদ্দেশ্য ব্যৰ্থ হব।" সকলো মানুহ নিস্তব্ধ হ'ল, আঘাত পোৱা সকলক যথাযোগ্য চিকিৎসা কৰোৱা হ'ল। বৰ চাহাবে যাবৰ সময়ত তপনক টিপতে কৈ গ'ল,"আজিলৈ আপোনাক শান্তিভঙ্গ অপবাধত চৌফৰ্দ্দ কৰা নাযায় ; কাৰণ মোৰ বঙ্গাৰ বাবে আপোনাৰ ওচবত ঋণী।" "নহয়, মোক গ্ৰেপ্তাৰ কৰা হে বাঞ্ছনীয়।" "আজি নহয়, কালিলৈ।"

পুনৰ শান্তিভঙ্গ কৰিব এই আশঙ্কাত ঘটনাৰ পিছদিনা তপনক গ্ৰেপ্তাৰ কৰা হ'ল। বিচাৰৰ ভাৰ পৰিল বাঘচাহাৰ ৰামভদ্ৰ বৰকাৰ গাত। তেওঁৰ পোনতে আপত্তি কৰিবৰ মন আছিল যদিও চাহাবক সাহ কৰি আঙ্গি কব নোৱাৰিলে। বিচাৰ প্ৰমাণ হোৱাত সবহ দণ্ড নাজাগিল, তেওঁৰ চকুৰ আগতে হোৱা ঘটনা। ছমাহলৈ ক'তো বক্তৃতা আদি নিদিওঁ বুলি এহেজাৰ টকাৰ মুচলমা দিলে তেওঁক অব্যাহতি দিওঁ বুলি বিচাৰকে কলে। তপন মান্তি নহ'ল, ফাবাবাসৰ হুকুম হ'ল। তপনৰ হাতত শিকলি পৰিল, বৰকাৰ অন্তবত এটা দুমুনিয়াহ আহিল।

চাহাবে ফাটকলৈ যোৱাৰ আগতে তপনক এবাৰ মতাই নি কলে—"তোমাৰ বয়স নিতান্ত কম। পঢ়াশুনাত তুমি ভাল আছিলা, এই কথাও মই জানো। দেউতাবাৰ সপোতা মোৰ পৰিচয় আছে। তোমাৰ যদি বয়সৰ অসুবিধা নহয় পুনৰ এবাৰ আই-চি-এচ পৰীক্ষা দিয়া ; আৰু যদি দিবৰ মন নকৰা,প্ৰভিন্সিয়েল চাকৰিৰ প্ৰাদেশিক বাছনি অলপতে হব, আশা কৰোঁ তুমি এনে এটা সুযোগলৈ পিঠি নিদিবা।" তপনে হাঁহি কলে—"আপোনাক ধন্যবাদ জনাইছো। মই সেইবোৰ কথা ভাবিবৰ আহৰিয়ে পোৱা নাই। বাক চোৱা ধ'কোন, চাকৰি কবি ভাত মোকলাব লাগিলে আপোনাক লগ ধৰিম বাক।"

ফাটকখানালৈ গৈ তপনে নিজৰ কানিকাপোৰ সোলোকাই দি বাজবন্দীৰ সকলো আভবণ পিন্ধিলে। আগে-পাছে প্ৰহৰীয়ে বেড়ি তেওঁক যেতিয়া ডাঙৰ দুৱাৰৰ ভিতৰ সুমুৱাই পাছতে ছাৰি মাৰিলে সেই দুৱাৰ জাপ যোৱাৰ লগে লগে মনত পৰিল যেন বামভদ্ৰ বৰকাৰ ঘৰত দেখা লাহবী ছবিখনি পৰ্দ্দাৰ অন্তবাল হ'ল।

(পৰিশিষ্ট)

দিন নাই বাতি নাই দেউতাৰ গাজনি আৰু ভূঁইকোঁৱ। দেশৰ মানুহৰ ত্ৰাস লাগিল, ই কি দিন পৰিল! বিধাতাৰ শাওপাত। ধাবাবাৰ বৰষুণ, মেদিনী টলমল, অবিবত ভূমিকম্প। পৃথিবী চিবাচিব হ'ল, মাটি ফালি কৌকৌকৈ পানী ওলাবলৈ ধবিলে, ভূককা ফুটি বালিবে চোতাল দবতকৈও ওখ হৈ পবিল,নৈ বিল খাল কেনি ক'ত আছিল চিনচাব নোহোৱা হ'ল। তপন থকা ফাটকৰ কুঠবীৰ অস্তিত্বই লোপ পালে, সকলো পৃথিৱীয়ে গ্ৰাসিলে। ফাটেকৰ দেৱাল চিবাচিব হৈ পবি থাকিল, ক'ব প্ৰহৰী কবৈ গল, ক'ব কয়েদী ক'ত থাকিল কাবো বিচাব লবলৈ কেও নাই। উই-পকৰাৰ হাজলুত বাঘ পহ একেলগে বাহ গোৱাৰ দবে মানুহেও কোনোবকমে নিজৰ দেহটো বচাবলৈ ঘ'তে ত'তে আলম লৈ থিতাপি হবলৈ চেষ্টা কবিলে। সাদিনৰ মুবত ঘবৱাবীবোৰ চিনিব পৰা হ'ল, বাটপথুলিৰ অলপ ধাবণা কবিব পৰা হ'ল। প্ৰবাদ আছে, বহত মানুহ এই সময়তে ভেঁকুলী হৈ যায়। কিবা হেনো যুগবিবৰ্ত্তন।

তপনেও দিখোঁৰ পাৰত নিজৰ বাগিচা এখন আছে, তালৈকে বুলি যাত্ৰা কবিলে। নাৱৰীয়াই গৈ নাও চপালে দুর্ভাগ্যক্ৰমে বামভদ্ৰ বৰকাৰ ঘাটত। বৰকাৰ চৈতন্য আছিছে। বহুবাৰ দোৱৰ মাৰ্জ্জনা খুজি তপনক নিজৰ ঘৰলৈ নিলে। তেওঁ কলে যে ম্যাজিষ্ট্ৰেটী ক্ষমতা তেওঁ এবি দিছে, দেশৰ দুখীয়া সাধাৰণৰ মাজত তেওঁ এজন হৈ

থাকিব, এয়ে তেওঁৰ ইচ্ছা। তপনক নিজ ঘৰত পহুচাই দিয়া হ'ল। অলপ দিনৰ ভিতৰতে ৰামভদ্ৰ বৰুৱাৰ ছোৱালীৰ লগত তপনৰ বিয়া হৈ গল। দৰা-কইনাই দোলা বা গাড়ীৰ ব্যৱহাৰ নকৰি খোজ কাঢ়ি দৰাৰ বাহৰ ললে।

তপন শাসনযন্ত্ৰৰ এজন যহী। তেওঁৰ পত্নী কমলা তেওঁৰ চিৰ-সহচৰী। কমলাক মৰম কৰি কলে, "কোৱা কমলা, তুমি জানো আমাৰ মিলন আশা কৰিছিলা?" "আশা কিয়, বিশ্বাস কৰিছিলো।" "কেনেকৈ?" "আপুনি বন্দী হোৱা বুলি জানিছিলো যেনেকৈ?" "বন্দী কিহত? তোমাৰ ৰূপত নে শাসনৰ নাগপাশত?" "যিহতে নহক, আপোনাক কিয় লাগিছে?" চলিহাই কমলাৰ হাতখন গলত মেৰিয়াই লৈ কলে—"বন্দী হোৱা বৰ সুখৰ।"

মচোপটেমিয়াৰ সোৱঁৰণী

(শেষাৰ্দ্ধ)

—ডাঃ শ্ৰীযুত শৰৎচন্দ্ৰ বৰুৱা

বচোৰাৰ পৰা বোগ্দাদলৈ জাহাজেৰে উজাই যাবলৈ তিন দিন তিন ৰাতি টাইগ্ৰিচ নৈয়েদি যাব লাগে, আৰু বামেদি এদিন এৰাতি লাগে। এই টাইগ্ৰিচ নৈত চলা জাহাজবোৰ আমাৰ ব্ৰহ্মপুত্ৰত আৰু পঞ্জাবৰ সিন্ধুনৈত চলা সৰু সৰু জাহাজবোৰৰ অনাই ইয়াত চলাইছিল। এইবোৰ জাহাজ সাগৰেদি নিৰ্ভতে জাহাজৰ ওপৰত বান্ধি নিছিল, টাইগ্ৰিচ নৈখন বহলে নিচেই ঠেক। কোনো ঠাইত ৫০ ফুট আৰু কোনো ঠাইত ১০০ ফুট মাত্ৰ বহল। ইমান ঘুৰপকীয়া যে কেতিয়াবা জাহাজ ঘুৰাওঁতে জাহাজৰ পাছফাল পাৰত লাগি যায়। এই ঘুৰপাক দেখি আৰু মৰুভূমিৰ এই এখনি মাত্ৰ নৈ দেখি অনুমান হয় যে এই নৈখনিয়েই ঘুৰিপকি সকলো ঠাইতে পানী যোগাই আহিছে। ইয়াৰ দুয়ো দীতিয়ে মাত্ৰ ২০০।৩০০ ফুটমানলৈকেহে মানুহে খেতি কৰে আৰু এই নৈৰ ওচৰত হে খেজুৰ গছ দেখিবলৈ পোৱা যায়। এই দেশৰ গাওঁ, খেতি আৰু ৰৱষুণৰ এটা চমু বৃত্তান্ত দিওঁ :—

গাওঁবোৰ নিচেই সৰু সৰু আৰু এখনৰ পৰা আন এখনলৈ ভালেমান দূৰ। আটাই গাৱেঁই নৈৰ দাঁতিতেই আৰু এই নৈৰ পানী নিয়েই ইয়াৰ মানুহে খেতি কৰে। পানী সাধাৰণতে গৰু বা গাধৰ হতুৱাই টনায়। এই দেশত আমাৰ লেহতি মবাৰ দৰে গৰু বা গাধই টানিৰ পৰা এটা দেশীয় কৌশল আছে। ইহঁতৰ খেতিৰ মাজত ৰাধাৰেই প্ৰধান, হৰেক ৰকমৰ শাক-পাচলি, লাও-কোমোৰা আদিও কৰে। খেজুৰ যে ইয়াৰ বিখ্যাত তাক নকলেও হব। সাধাৰণ মানুহৰ খাদ্য কটা আৰু অলপ খেজুৰ। কটাক সিহঁতে "ঘুৰাচ" বোলে। সাধাৰণতে কটাবোৰ আমাৰ মজলীয়া পানথোৱাশনৰ সমান ডাঙৰ কৰে। অতি দুখীয়া মানুহবো এটা গাধ সম্বল থাকে। গাধ বিলাকৰ ঘৰছৱাৰ মাটিৰ। সৰু সৰু নগৰত মাটিৰ আৰু শিলৰ ঘৰো দেখিবলৈ পোৱা যায়। বছৰেকত দুবাৰ ৰৱষুণ ৫।৬ ইঞ্চি হয়; ইয়াৰপৰা খেতিৰ একো উপকাৰ নহয়। এই ৰৱষুণ ডিচেম্বৰৰ শেষ ভাগৰ পৰা ফেব্ৰুৱাৰীলৈ

ভিতৰতে হয়। কবলৈ গলে, বাৰিষা আৰু জাৰ একেখণে।

তিনি দিনৰ পাছত বোগ্দাদ পালোহি। বোগ্দাদ টাইগ্ৰিচ নৈৰ সোঁ-হাতে। আমি কিন্তু বাওঁ পাৰে কেম্প থাকিবলৈ পালো। যাওঁতে মই বোগ্দাদ নগৰত সোমাবলৈ নাপালো। তাত হুকুম পালো যে মই ৩৯নং



লিথক—১৯৩১

ফিল্ড এম্বুলেন্স আস্পতাললৈ যাব লাগিব। বেলত যাবৰ কাৰণে মোক "ছাৰগট" নামৰ ষ্টেচনলৈকে 'পাছ' দিলে। ছাৰগট বোগ্দাদৰ পৰা ৮২ মাইল উত্তৰে। এৰাতি এবেলাৰ বাট। সেই দিনাই তিনি বজাত এখন ডবা গাড়ীত আন আন সহযাত্ৰীবে সৈতে এক ডবা হৈ সোমালো। তেতিয়া তাত বৰ জাৰ। গাড়ীৰ দুৱাৰ বন্ধ কৰি গধুলি নৌ-হওঁতেই শুই থাকিলো। আৰু এজনে পাছদিনা পুৱা ৬ মান বজাত সাৰ পাই গাড়ী বহুত পৰ বৈ থকা দেখি দুৱাৰ মেলি চাই আমাক জগালে যে বেল কেতিয়াবাই "ছাৰগট" পালেহি। আমি নামি আহিলো। ষ্টেচনৰ সকলো নিতাল মাৰি আছে; আনকি বেলত ইঞ্জিনো জিবণি-ঘৰত (shed) সোমাই জিবাণ লৈছে। আমি পেটে পেটে অলপ লাজ পাই লবাধপবাকৈ বিছনাপত্ৰ বান্ধি নমালো। এনেতে এজনে কৌতূহলেৰে আবিষ্কাৰ কৰিলে যে আমি যি ষ্টেচনৰ পৰা গৈছিলো সেই বোগ্দাদ ওৰেষ্ট ষ্টেচনতে লাগি আছো। আচৰিত হৈ ঘটনা নো কি জানিবলৈ বুলি ষ্টেচনলৈ গৈ গম পালো যে গাড়ী যোৱা বাতি তিনিটামান ষ্টেচন গৈ ১০ মান বজাত এঠাইত গাড়ীৰ লাইন তুলি থোৱা দেখা পাই ঘুৰি আহি বাতি ২।০টামান বজাত আকৌ বোগ্দাদ ওৰেষ্ট ষ্টেচন পালেহি। আৰবৰ "বেদুইন" বুলি এজাতি দস্যুৱে মাজে মাজে এইদৰে উপদ্ৰৱ কৰে। সেইদিনাও গাড়ীৰ লাইন তুলি দৈছিল, আৰু গাড়ী লাইনবপৰা পৰা হলেই আহি গাড়ী লুট কৰিলে হেতেন। কিন্তু ইঞ্জিনৰ 'চাৰ্চ-লাইটৰ' পোহৰত ড্ৰাইভাৰে লাইন তুলি থোৱা দেখা পাই আমাক উদ্ধাৰ কৰিলে। সেই ড্ৰাইভাৰজনক তেতিয়া দিয়া ধন্যবাদৰ উপৰি আজিও মই পুনৰ ধন্যবাদ জনাইছো। এই বেলবোৰৰ আগত, পাছত আৰু মাজত প্ৰহৰী হিচাপে বন্দুকীসৈন্য যায়; কিন্তু সেইদিনা বাতি দস্যুদলে অস্ত্ৰ প্ৰয়োগ নকৰাত আমাৰ বন্দুকী সৈন্যসকলেও গুলী চলোৱা নাছিল আৰু আমাৰো টোপনিত কোনো ব্যাঘাত জন্মা নাছিল। পাছদিনা আমি "ছাৰগট" পালোগৈ। তাৰ অফিচত মোক ৩৯নং আস্পতাললৈ কেনেকৈ পঠাব সোধাত কলে যে মোক ছাৰগটলৈ অনা ভুল হৈছে। কাৰণ "ছাৰগট"ৰ পৰা ২২ মাইল ওপৰত থকা "বাঈজী" নামৰ ষ্টেচনৰ পৰা হে মই যাব লগা আস্পতাললৈ যাব পাৰি। কাজেই মই "বাঈজী"লৈ যাব লগা হল। এই যাত্ৰাত এটা সৰু ঘটনা ঘটে। ছাৰগট কেম্পতে ৩৯নং আস্পতালৰ কেটামান তুলিবাহক পালো। সিহত ওখাদিন মানুহ, সিহতকো ভুলকৈ ছাৰগটলৈ পঠাইছিল। সিহঁতক মোৰ লগতে লগ লগাই দিলে। তাবে এটাই



কিবকুক চহৰৰ দৃশ্য

মোক বৰকৈ খাটিবলৈ ধৰিলে যেন মই তাক মোৰ "আবদালি" কৰি লওঁ। ময়ো সন্মত হলো। বেলত

এখন প্ৰথম শ্ৰেণীৰ গাড়ী পাই তাতেই উঠিলো। তাত তেতিয়া ৰাতি বৰ ঠাণ্ডা হয়। তেনেকুৱা ঠাণ্ডা আমি অসমৰ ভৈয়ামত কোনো দিনেই পোৱা নাই। মোৰ লগত আছিল এজন পঞ্জাবী সৈনিক বিভাগৰ চুবাদাৰ



য়ুফ্ৰেটীছ নদীৰ ওপৰত 'হিন্দীয়ে' বান্ধ

মেজৰ। আমি দুৱাৰ খিৰিকি মাৰি গপগপীয়া হৈ বহি আছো। গাড়ীত কোনো বিধৰেই লেম্প নাছিল। ষ্টেচনত ইঞ্জিনে ছান্‌টিং কৰিবলৈ ধৰিলে। আমি ভাবিছিলো যে ছান্‌টিং শেষ হলেই গাড়ী এৰিব। ছান্‌টিং বন্ধ হল। কিছুপৰ সকলো নিতাল মৰা যেন দেখি ওলাই দেখো যে ষ্টেচনৰ দুৱাৰ খিৰিকি বন্ধ আৰু ষ্টেচনত কোনো ছান্‌টিং কৰা বা ৰৈ থকা গাড়ী নাই। মাত্ৰ আমাৰ গাড়ীখনেই একালে ৰৈ আছে। ষ্টেচনত খবৰ পালো যে গাড়ী যোৱা আধাঘণ্টামান হল। ৰাতি ১১ বজাতহে আৰু এখন গাড়ী যাব। তেতিয়া মাত্ৰ ৭॥০টা। মোৰ আৰু চুবাদাৰৰ মানুহ আগৰ গাড়ীতেই গল, লগতে আমাৰ মালপত্ৰবোৰো লৈ গল। মোৰ আৰু মোৰ সহযাত্ৰীৰ সেই জাৰত সম্বল মাত্ৰ দুটা ওভাৰ কোট, যাক 'গ্ৰেটকোট' বুলি কয়। চুবাদাৰ চাহাবৰ এখন কম্বল আছিল। ১১ বজাৰ পাছত ৰেল এৰিলে আৰু লগে লগে ইমান জাৰ লাগিবলৈ ধৰিলে যে দুয়ো একেখন কম্বলকে গায়ে-মূৰে মেৰাই টেপাটেপিকৈ এচুকত বহিও তত পোৱা নাছিলো। ১ মান বজাত ৰেল 'বাঈজী' পালেহি। আমাৰ দুয়োৰো চিন্তা আমাৰ মানুহ দুটা ইয়াত নামিলে নে, নাই ওপৰলৈ গলগৈ। দুৱাৰ খুলি দেখো যে দুজন সৈনিক চাহাব আমি উঠা গাড়ীখনত উঠিবলৈ আহিছে। সিহঁত দুয়ো জাৰত কোঙ্গা হৈ আহিছে। সিহঁতে আমাক দুয়োকে কম্বল ভিক্ষা খুজিবলৈ ধৰিলে। সিহঁতে কলে যে সিহঁতে আগৰ ৰেলতেই বোগ্দাদলৈ ঘূৰিব লাগিছিল কিন্তু ৰেল ধৰিব নোৱাৰিলে। সিহঁতৰ লগত কম্বল দূৰৰ কথা এটা ওভাৰকোটো নাছিল। মই মাত্ৰ দুখ প্ৰকাশ কৰিলো; কিন্তু মোৰ সহযাত্ৰীয়ে তেওঁৰ কম্বলখন দিয়েই সহায় কৰিলে। আমি নামি আহিলো। ষ্টেচনৰ কোঠা এটাত আমাৰ মানুহকেইটা আৰু মালবস্তুবোৰ দেখি বৰ আনন্দ পালো। সেইদিনা ৰাতি ষ্টেচনতে থাকিলো। বাঈজীৰ পৰা মোৰ গন্তব্য ঠাইলৈ ৬০ মাইল দূৰ। তাত ৰেল নাই; মটৰেৰে নাইবা খোজ কাঢ়ি যাব লাগে। মই মটৰেৰে গৈ "কিৰকুক" বোলা ঠাইত সেই আস্পতালৰ 'হেড-কোৱাৰটাৰ'ত উঠিলোগৈ। "কিৰকুক" আচল মচোপটেমিয়াত নহয়। ই কুৰ্ডিস্থান বোলা এখন সৰু প্ৰদেশত। ই পাৰশ্যৰ উত্তৰ-পশ্চিমে। এই ঠাইৰ 'কুৰ্ডি' মানুহবিলাক আচাৰ-ব্যৱহাৰত আৰবসকলৰ দৰেই কিন্তু অলপ পৰ্ব্বতীয়া। 'কিৰকুক' এখন সৰু পুৰণি নগৰ। আমাৰ নাজিৰা কি তিনিচুকীয়াৰ দৰে টাউন। ইয়াত



মছোল নগৰৰ ৰাজ-আলি

বোগ্দাদৰ ২২০ মাইল উত্তৰে এই নগৰ অৱস্থিত। মছোলৰ ৰাজ-আলিবোৰ আগেয়ে বৰ ঠেক আছিল। এই ছবিত ঠেক বাট বহল কৰিবলৈ কিছুমান ঘৰ ভাঙি দিব ধৰা দেখা গৈছে।

সুমথিৰা টেঙ্গা প্ৰচুৰ হয়, আৰু কেবাখনো সুমথিৰাৰ বাগিচা দেখিছিলো। ইয়াত সাধাৰণতে তিনি ৰকমৰ সুমথিৰা দেখিবলৈ পোৱা যায়। এজাতি বৰ মিঠা, প্ৰায় আমাৰ দেশৰ দৰেই কিন্তু টেঙ্গা অলপো নাই। এবিধ ইয়াতকৈ অলপ ডাঙ্গৰ, তাৰ বাকলিও পাতল; কিন্তু এই বিধৰ সোৱাদ বৰ কম। পানীৰ ভাগ বৰ বেছি কিন্তু টেঙ্গা নহয়। আনবিধ তেনেই সৰু, আমাৰ নেমুটেঙ্গাৰ সমান ডাঙ্গৰ আৰু অলপ টেঙ্গাও। ইয়াত তৰমুজ, খৰমুজা প্ৰচুৰ পৰিমাণে পোৱা যায়; মচোপটেমিয়াতো পোৱা যায় কিন্তু অলপ-অচৰপহে। ইয়াত খেজুৰ নাই বুলিলেই হয়।

কিৰকুকৰ পৰা ৩০ মাইলমান দক্ষিণলৈ "চামচমাল" বোলা ঠাইত আমাৰ আস্পতালৰ এটা বিভাগ আছে। মই তাৰ 'ছৰ-চাৰ্জ্জলৈ' গ'লো। মই এই ৩০ মাইল মটৰেৰে গৈছিলো কিন্তু আন মাল নিয়া মানুহে দুদিনতহে মাৰ্চ্চ কৰি পায়গৈ। কিৰকুক আৰু চামচমালৰ মাজঠাই—১৫



ছিয়া সম্প্ৰদায়ৰ উপাসনাৰ বাবে সোণৰ গম্বুজৰ মছজিদ

মাইলত দুটা পাহাড়ৰ মাজত এটুকুৰা সমতল ঠাই আছে। তাত কোনো ঘৰদুৱাৰ বা মানুহ-দুনুহৰ বসতি নাই। অহা যোৱা কৰা সৈন্য সামন্তবোৰে ইয়াতে কেম্প কৰি এৰাতি কটাব লাগে। এই ঠাই ডোখৰ জাৰকালি



মেছোপটেমিয়া—য়ুফ্ৰেটীছ আৰু টাইগ্ৰিছৰ সঙ্গম দৃশ্য

ভয়ঙ্কৰ ঠাণ্ডা হয়। ঠাণ্ডা লাগি কেবাটাও চিপাহী মৰা মই নিজেই দেখিছো। 'চামচমাল' এখন গাওঁ; ইয়াৰ ইফালে সিফালে দুই একোখন সৰুসুৰা গাওঁ আছে। চামচমাল গাৱঁৰ মূৰতে আমাৰ ছাউনী আছিল। সেই গাৱঁত এটা শিলৰ ঘৰ আছিল। সেই ঘৰটো শিলৰ তৈয়াৰী নহয় বুলি ধৰিলে আমাৰ ৰংপুৰৰ (শিৱসাগৰ) পুৰণি ৰজা-ঘৰবোৰৰ দৰে লাগে। তাৰ মানে ঘৰটো সজা ফেশ্যন আধুনিক নহয়; বহু পুৰণি যেন লাগে। সেই ঘৰটোত হেনো তুৰ্কিৰ কোনো গাওঁবুঢ়া বা তাতোকৈ কোনো ওখখাপৰ কৰ্ম্মচাৰী আছিল। তেতিয়া আমাৰ আস্পতালৰ টান ৰুগীক সেই ঘৰত থোৱা হৈছিল। মই চামচমাল পোৱাৰ এমাহমানৰ পাছতেই বৰষুণ আৰম্ভ হ'ল। তেতিয়া জানুৱাৰী মাহ। ১০।১৫ দিনমান মুঠতে বৰষুণ হৈছিল; জোখা হলে বোধ হয় ৬।৭ ইঞ্চিৰ বেছি নহল হেতেন। বাৰিষা তাতেই শেষ। ইয়াৰ পাছত বৰ ঠাণ্ডা পৰিছিল; বাহিৰলৈ ওলাব নোৱাৰি। গধূলিৰ পৰাই কিন্‌কিন্‌কৈ বৰফ পৰে আৰু পৰ্ব্বতৰ ফালৰপৰা বৰফৰ ওপৰেদি বৈ অহা হাড়-জোকৰা বতাহ বলিবলৈ ধৰে। আমাৰ তম্বুত আমি চাৰিজন আছিলো। আমি প্ৰত্যেকে আমাৰ বিছনাৰ ওচৰত একোটা 'অইলষ্টোভ' গৰম পাবলৈ জ্বলাই থৈছিলো

এই ষ্টোভবোর প্রাইমাচ ষ্টোভর দরে নহয় ; ই এটা ডাঙর লেম্পর দরে আক চেহেবাটো ইকমিক্ কুকারর দরে। ইয়াক জুই পুওঁরার সলনি ব্যরহার করা হয়। শেহরাতি তম্বুর ওপরত যেতিয়া বরফ পরি গধুর হয় আক তম্বু



টাইগ্রিছ নদীর ওপরত মছোল নগরর দৃশ্য

গোটেইটো তিয়াই পেলায় তেতিয়া বর ঠাণ্ডা হয়। মই দিনে দিনে কম্বলর বোজা তলে-ওপরে বঢ়াই নিছিলো ; পাছত এনে হৈছিল যে কম্বলর বোজাত ইফাল সিফাল করা কষ্টসাধ্য হৈছিল। তথাপি জাব নকমে। ইয়াত গরম ক্লিপিং চুট পিন্ধি শুইছিলো, সচাকৈয়ে এই বস্ত্র সেই দেশত বর উপকারী। ঠাণ্ডা দেশর মানুহে ছিগাবেট বা উত্তেজক বস্তু খায়। এনে ঠাণ্ডা দেশলৈ গলেহে বুজা যায় যে ই সচাকৈয়ে প্রয়োজনর ভিতরত পরে। মই ছিগাবেট নাখাইছিলো আক নাখাওঁ। তামোল মাজে সময়ে খাইছিলো কিন্তু বহে এবার পাছত সিও হুম্প্রাপ্য হ'ল। বচোবার বজাবত এদিন পকাপাগর তামোল (বিলিপাণ) দেখিছিলো, তার খনে দাম চারি অনা। মচোপটেমিয়াত থকা কেইদিন মই ছিগাবেট খাইছিলো। ছিগাবেটর মাত্রা ঠাণ্ডা হলেই বাঢ়িছিল আক গরম হলে কমিছিল। ইয়াতেই বুজিছিলো যে ই ঠাণ্ডা দেশত কিয় ইমান প্রিয়।

বরষুণ যোৱার ১০দিনমানর পাছতেই শিমলুর কলি চ'তমহীয়া ব'দত ফুটি তুলাবিলাক বতাহত উবি যেনেকৈ মাটিত পরে সেইদরে তিনি দিন অহরহ বরফ পরিবলৈ ধরিলে। বর ঠাণ্ডা হবলৈ ধরিলে। ঠাণ্ডার কারণে আমি কেম্পর সকলো মানুহকে পুরা গধুলি চই আউদকৈ 'রাম' (Rum) খাবলৈ দিছিলো। ইমান বরফ পরিবলৈ ধরিছিল যে প্রত্যেক দিনা পুরা মানুহ আহি কোবেরে তম্বুর দুরার মুখত জমি থকা দুফুট তিনিমুট বরফ কাটি আতরাই দিলেহে আমি তম্বুর পরা ওলাব পারিছিলো। বরফ পরিবলৈ আরম্ভ হোৱার এদিনমানর পাছতেই সকলো বস্তু শুকুলা আক সমান হৈ পরিল। আমি বোকা আক বরফ খোজ কাঢ়িবলৈ "গাম বুট" একোজোর কিনি লৈছিলো। এই গাম বুটর দাম কলিকতাত ৩০৲৩৫৲ টকা ; কিন্তু আমি "আর্ম্মি-ষ্টোর পরা ৮৲ টকাত কিনি লৈছিলো। তিনি দিন পাছত বরফ বন্ধ হ'ল আক ব'দে দেখা দিয়ার লগে লগে বরফ গলিবলৈ ধরিলে। এতিয়া বরফ ওপরেদি খোজ কাঢ়িলে মরমরাই উঠে। আমার আস্পতাল "অফিচার কমানডিং" এজন আর-এ-এম-ই। তেওঁ আমাক বরফ-বাণী সাজি দেখুৱায়। তেওঁৰ স্নো-কুইন হেঁচা তাহানিখন কিতাপত পঢ়া স্নো-কুইনর গরম অর্থ বুজিব পারিছিলোঁ। ব'দ দিয়ার কারণে বরফ চটাচটিকৈ এবাবলৈ ধরিলে। এচটা একরাই মেরিয়াই গল সতবঁকি বা কার্পেটর দরে নুবা যাই যায়। আক বগবাই নিলে সি এটা প্রকাণ্ড নুবা হৈ পরে। আমি কেবাজনেও একো একোটা নুবা হাতীর সমান ডাঙর ধেমালি কবিবলৈ ধরিছিলোঁ। মোর পক্ষে ই একেবারে নতুন হৈছিল।

জাব লাহে লাহে কমি আহিল আক মার্চ মাহর আমাব আস্পতাল তাব পরা উঠি আহিল আক ৬নং আস্পতাল তালৈ গ'ল। আমি তাব পরা পুনৰ কিবকুকলৈ আহিলো আক তাতেই সেই আস্পতাল আটাইবোর শাখা গোট খাই গোটেই সমষ্টিটো মচোপটেমিয়াৰ "টিকৰিট" নামৰ ঠাইলৈ যাবলৈ 'মার্চ' কবিলে। ১৫ দিনমানৰ পাছত আমি "টিকৰিট" পালোহি। এই ঠাইখন আছোতে বোগদাদ নগৰৰ মাজেদি আহিছিলো। এই 'টিকৰিট' টাইগ্রিচ নৈৰ পাৰত। টিকৰিট এখন গাওঁ মাত্র। ই আগেয়ে কোৱা বাঈজী বোলা ঠাইডোখৰৰ ৩০ মাইলমান দক্ষিণে, আক বোগদাদৰ পৰা ৬০ মাইলমান উত্তৰে। আমাক ইয়ালৈ অনাৰ কাৰণ প্রথমতে ভাবিছিলো যে আমাৰ এই আস্পতালে ভালদিন পার্শ্বতীয়া ঠাইত কাম কৰাৰ কাৰণে ইয়াত কিছুদিন অৱসৰ দিবলৈ আনিছে হবলা। কিন্তু দুই তিনি মাহৰ পাছত জানিব পাৰিলো যে সেই কাৰণে নহয়, "ইউফ্রেটিচ" নৈৰ দাঁতিত আৰৱবিলাকে বিদ্রোহ কৰিব আক সিহঁতক দমাবলৈ তাত পুনঃ যুদ্ধ হব—এই বুলিহে আমাক তালৈ আনিছিল। আক এই কাম জুন মাহৰ মাজ ভাগৰ পৰা আৰম্ভ হৈ অক্টোবৰৰ মাজ ভালৈকে আছিল (১৯২০)। টিকৰিতত আহি থকা এমাহমান নৌহওঁতেই, মোক কিছুমান আর্ম্মেনিয়ান 'বিফিউজিক' সিহতৰ দেশলৈ পঠিয়াওঁতে ছাৰগটৰ পৰা মুছললৈকে ডাক্তৰ হিচাপে যাবলৈ দিছিল। (বিফিউজি মানে যুদ্ধৰ সময়ত যিবোৰ মানুহে নিবাশ্রয় হৈ আশ্রয় লয়হি।) এই আর্ম্মেনিয়ান্‌বোৰ তার্কিশ প্রজা। ইহঁতে যুদ্ধৰ সময়ত ইংৰাজৰ আশ্রয় লৈছিল। ইহঁত ধর্ম্মত খৃষ্টান। যুদ্ধৰ সময়ত ইহঁতক বোগদাদৰ দিনে নিবাপদে ছাউনী কবি থৈছিল। ইহঁতৰ সংখ্যা কমকৈ ৫০০০ মান হব। যুদ্ধৰ শেষত নিবাপদে দেশলৈ পঠিয়াই দিয়া ইংবাজৰ কর্ত্তব্যাধীন হৈছিল। বোগদাদৰ পৰা ছাৰগটলৈ নিওঁতে ইহঁতক এজাক এজাককৈ বেলেৰে পঠিয়াইছিল। এইদৰে ৭ কি ৮ জাক মানুহ পঠিয়াইছিল। মোৰ দৰে আক কেবাজনকো কেবা ঠাইপৰা আনি ছাৰগটলে ইহঁতৰ লগত পঠিয়াইছিল। ছাৰগটৰপৰা 'মুছল' ৭৫ মাইলমান দূৰ। ইয়াতে মোৱা বাটটো পর্ব্বতীয়া। ইয়াৰ পাহাড়ৰ শিলতকৈ বাসিৰ সংখ্যা বেছি। এই ৭৫ মাইল বাটৰ চাবি ঠাইত চাবিটা ছাউনী আছিল আক প্রত্যেক ঠাইতে কিছুমান সৈন্য বাখিছিল। অহাযোৱাৰ সুবিধাৰ কাৰণে এই সৈন্যবিলাকক ছাউনী কবি থয়। মোৰ আগত চুজাক গল, মই তৃতীয় জাকত গলো। এই মানুহবোৰৰ লগত লৰা, তিকতা, বুঢ়া, ডেকা সকলো মানুহ আছিল। মাল-পত্র কঢ়িয়াবলৈ থচ্চবৰ গাড়ী (আমাৰ গৰুৰ গাড়ীৰ দৰেই, অলপ সৰু আক লোৱ) আছিল। মোৰ লগত ৪টা 'আবদালি', ২টা "দেবেচি" (Dresser—কম্পাউণ্ডাৰৰ নিচিনা), এখন এম্বুলেন্স গাড়ী (থচ্চবৰ), কিছুমান সৈন্য আছিল। এই এম্বুলেন্স গাড়ীখন ডাঙৰ জাতিৰ ৪টা থচ্চবে টানে আক ইয়াত ৮টা মানুহ বহি আক ২টা মানুহ ভিতৰ যাব পাবে। সকলো এম্বুলেন্স আস্পতালতে প্রত্যেক ডাক্তৰৰ কাৰণে একোটা ঘোৰা থাকে। সেই কাৰণে মই কোনোদিনেই খোজ কাঢ়িব নালাগিছিল। ঘোৰাবিলাক সাধাৰণতে আৰৱ বা অষ্ট্রেলিয়াৰ ঘোৰা আছিল। মই কিছুদিন ৰাইডিং ক্লাচত যোগ দিছিলো কিন্তু ভাল চোৱাৰী হব নোৱাবিলো কিন্তু কাম চলাব পৰা শিকা পাইছিলো। পুৱাবপৰা মার্চ্চ কবি এই বিফিউজিবোৰক লৈ যাওঁতে ৫ দিন সময় লাগিল। মুছলবপৰা ইহঁত আক ওপৰলৈ যাব লাগে কিন্তু তাব বাৱস্থা আন আস্পতালৰ অধীনত। 'মুছল' মচোপটেমিয়াৰ উত্তৰ পশ্চিম সীমান্তৰ এখন সৰু



ছিয়া সম্প্রদায়ৰ পবিত্র স্থান কাৰবালা চহৰ

নগৰ। ই বোগদাদতকৈ সৰু কিন্তু কিবকুকতকৈ ডাঙৰ। আমাৰ গুৱাহাটী টাউনৰ সমান বুলি কব পাৰি। বোগ-

দাদৰ তো কথাই নাই এই সুদূৰ সক নগৰখনো সুন্দৰ সুন্দৰ অট্টালিকা, সুন্দৰ বাজ-আলি, বিদ্যুলী চাকি, দোকান পোহাৰে ভৰা। ইয়াৰ মানুহবিলাক, মুহলমানেই বা ইহুদীয়েই বা সৃষ্টানেই, প্ৰায়বোৰেই ফৰাচী ভাষাত শিক্ষিত আৰু পটিমীয়া চাল-চলনৰ। মুহলমপৰা ঘৃণি আহোতে মই মটৰেৰে আহিছিলোঁ। আমি বাটত এটা ছাউনীপৰা আন এটা ছাউনীলৈ মাল অনা নিয়া কৰা এটা ডাঙৰ দল লগ পাইছিলোঁ। তাৰ লগত পহৰা লৈ এদল অশ্বাৰোহী



সাধাৰণ কুড়ি মানুহ—(বঙ্গাৱত ফটো তোলা)

সৈন্য (দেশী শিখ) গৈছিল। বাটতে এদল বেদুইনে সিহঁতক আক্ৰমণ কৰে। দুয়ো পক্ষৰ এখন চুবুচুবীয়াকৈ বণ লাগিল। এনেতে আমাৰ দলৰ ১৭।১৮ খনমান মটৰ অহা দেখি বেদুইনহঁতে কিছু মালপত্ৰ লৈ পলাল। আমাৰ লগত কিন্তু কেইটামানহে চিপাহী আছিল। আমাকো আক্ৰমণ কৰা হলে আমাৰ ফালে আধ্যাই পৰিলহেঁতেন। এই বেদুইনবিলাকৰ এটা আচৰিত গুণ দেখিলোঁ যে ইহঁতৰ দলৰ কোনো মৰিলে তাক পেলাই যোৱা নাযায়। সেই কাৰণে ইহঁতৰ নিহত হোৱা কোনো মানুহকেই আমি দেখিবলৈ নাপালোঁ। আমাৰ এটা চিপাহী তিনিটা ঘোৱা মৰিল। আৰু ২ জন ভাৰতীয় দৈনিক কৰ্ম্মচাৰী আৰু সকস্বুৱা ২৪ জন জখম হৈছিল। সকলোৰে হাততে প্ৰাথমিক চিকিৎসা প্ৰণালী থাকে আৰু মোৰো হাতত কিছু সৰঞ্জাম আছিল, তাৰে সৈতে প্ৰাথমিক চিকিৎসা কৰি সোনকালে ছাৰগটলৈ অনা হ'ল। তাতে ওপৰত কোৱা দুজন কৰ্ম্মচাৰী ধুকায়। এইদৰে বেদুইন ডকাইতহঁতে কেৱা ঠাইতো বাতি আহি আক্ৰমণ কৰিছিল। বাতি যেতিয়া গুলী বৰ্ষণ হয় তেতিয়া আমি ছাউনীৰ মাজৰ ডাঙৰ খালত (trench) সোমাই থাকো, আৰু চিপাহীবোৰে নিজ কৰ্ত্তব্য কৰে। প্ৰথমতে এই গুলী বৰ্ষণ ভয় কৰিছিলোঁ কিন্তু পাছলৈ ট্ৰেকত গুলীয়ালেও টোপনিহে ব্যাঘাত নঘটিছিল।

মচোপটেমিয়াত দিনত যদিও ১১২°ৰ পৰা ১৩০°/১৩২° ডিগ্ৰিলৈকে গৰম হয় তথাপি গধুলি হোৱা মাত্ৰই জ্বৰ পৰি আহে। মকভূমিৰ বতৰ সকলো ঠাইতে এনেকুৱা ; দিনত পুৱা ৯ বজালৈকে আৰু আবেলি ৪ বজাৰ পৰাহে মানুহৰ ৰ দত ওলাই কাম কৰিবলৈ দিয়ে। এই গৰমত মাজে মাজে মানুহৰ পানী-লগা আদি হয়। এই গৰমৰ দিন কেইটাত আমাৰো কাপোৰ পিন্ধাৰ এটা বন্ধা নিয়ম আছিল। এটা "হাফ্‌-পেণ্ট" আৰু এটা কামিজ তাৰো ডিঙিৰ বুটামটো খোলা থাকিব লাগে বা 'লংপেণ্ট' পিন্ধিলে কামিজৰ কলাৰটো কোটৰ ওপৰত তুলি দিব লাগে। বোধকৰো এই 'ফেশ্বন'টো তাৰ পৰাই আজিকালি আমাৰ দেশত প্ৰচলিত হৈছে। দিনত আৰু এটা আহুকাল আছে। মাজে মাজে বা-মাৰলিৰ দৰে ঘূৰণীয়া বতাহে বালি উকৰাই গোটেইখন ধূৰলি-কুৰলী কৰে আৰু বাগিৰে কেম্প ভৰাই দিয়ে। এই বতাহ কেম্পৰ ওচৰ পৌ-পাণ্ডেই আমি গম পাওঁ। গাধীৰ, চিগাপেট, বিস্কুট, মাখন ইত্যাদিৰ খালি টিনবোৰ কেম্পৰ চাৰিওফালে পৰি থাকে আৰু বতাহ আহিলেই এই টিনবোৰ বতাহৰ কোবত উৰিবলৈ ধৰে আৰু ইটোৱে সিটোৱে গাত গুন্তা খাই ঘটং ঘটং শব্দ হয়। আমি তেতিয়াই ঘূৰণীয়া বতাহ আহিছে বুলি গম পাওঁ আৰু বালিৰ পৰা হাত সাৰিবলৈ কেম্পৰ দুৱাৰ খিৰিকি জপাই দিওঁ। বাতিও কেতিয়াবা এনেকুৱা বতাহ আহে। বাতি যেতিয়া আকাশত ডাৱৰ হ'ব তেতিয়াহে এনে বতাহ আহে। এই ডাৱৰ মাত্ৰ উঠেহে, ববষুণ হলে নিদিয়ে ; উপকাৰৰ মাজত বালি উকৰায়। সাধাৰণতে আমি কেম্পৰ বাহিৰত শোঁ। কেম্পৰ ভিতৰত শুলে অলপ গৰম পোৱা যায় আৰু বালি-পোকৰ (Sand-fly) কাৰণে বৰ মিহি আঠুৰা লব লাগে।

এই বালি-পোক আমাৰ চেৰেপাৰ দৰে—বৰকৈ কামোৰে ; আৰু কামুৰিলে তিনি দিন অৰ হয় তাক "চেণ্ড-ফ্লাই ফিভাৰ" বোলে। গধূলিৰ পৰাই বতাহ বলে কাৰণে বাহিৰত শুলে এই পোকে উপদ্ৰৱ কৰিব নোৱাৰে। শেষ বাতি বেছ অলপ ঠাণ্ডা পৰে আৰু তেতিয়া কম্বল লব লগাত পৰে। গৰমকালিৰ এই বাতি কেইটা সচাকৈয়ে বৰ আৰামদায়ক।



মেছোপটেমিয়াৰ ঘোল শতিকাৰ বাজ-তোৰণ

মই ছাৰগটত থাকোতেই ৩৯নং আম্পতালক ইউটেফ্রেচ নৈৰ দাতিত উপদ্ৰৱ কৰা আৰবহঁতক দমাবলৈ যোৱা সৈন্যবোৰৰ লগত যাবলৈ দিলে। মোকে পাছত যাবলৈ হুকুম দি থৈ গ'ল। লাহে লাহে ইউফ্রেটিচৰ পিনে গোলমাল বেছি হ'ল আৰু আমি থকা পিনেও তাৰ ধাক্কা বিষপিলে। আমাৰ ফালৰ পৰা সৈন্য সামন্ত নিয়াত অগ্ৰসৰ কৰিবলৈ আৰবহঁতে বেলৰ লাইন, টেলিগ্ৰাফৰ লাইন কাটি নষ্ট কৰিবলৈ ধৰিলে। এইবোৰ লাইন মেৰামত কৰোতে প্ৰায় এমাহমান লাগিছিল। মোৰ ভালেই হ'ল নে বেয়াই হ'ল কব নোৱাৰোঁ। মই ছাৰগটৰ পৰা টিক্‌খিট পাওঁতে বেল এমাহ তাত লাগি থাকিল। মোৰ আৰু আমাৰ আম্পতাললৈ যোৱা নহল। তেতিয়া মোক ৩৯ নংৰ পৰা বদলি কৰি ছাৰগটত ১৯ নং "কেজুৱেলিটি ক্লিয়েৰিং ষ্টেচন আম্পতালত" দিলে। এই আম্পতালত মই শেষলৈকে থাকি ১৯২১ চনৰ অক্টোবৰ মাহত তিনি মাহৰ ছুটী লৈ ঘৰলৈ ৰওনা হলোঁ। ছাৰগটৰ পৰা বচোৰালৈ বেলেৰে আহিছিলোঁ। বচোৰাৰ পৰা কৰাচী ৫দিনৰ বাট। মই ছুটীত আহোতেও বেলত "ট্ৰেন্ ডিউটি" আৰু জাহাজত "ষিপ্ ডিউটি" কৰি আহিব লগাত পৰিছিলোঁ। তাৰপৰা মোৰ সুবিধাহে হৈছিল। কৰাচীলৈ আহোতে কেবাজন কেৰাণীকো আম্পতালৰ কেবিনত সুখেৰে লৈ আহিব পাৰিছিলোঁ। এই কেৰাণীসকলক তৃতীয় শ্ৰেণীৰ যাত্ৰী কৰি 'ডেক' পঠিয়ায় আৰু ভজলোকৰ তাত বৰ অসুবিধা হয়। কৰাচী পালতেই ঘৰ পালোহি যেন লাগিল। তাত কিছুদিন থাকিবৰ ইচ্ছা কৰি নিজে যাচি "ইণ্ডিয়ান ষ্টেচন আম্পতালত" কাম ললোঁ।

কৰাচী পাই ঘৰলৈ যি চিঠি লিখিছিলোঁ তাত মোৰ ঠিকনা পাই মোলৈ টেলিগ্ৰাম কৰিলে—Mother seriously ill come sharp। তাৰ পাছদিনাই ঘৰলৈ ৰওনা হলোঁ। মই ঘৰ পোৱাৰ পাছদিনাই মোৰ ৺আই-মাতৃয়ে ইহজগতৰ পৰা শেষ মেলানি মাগিলে। মোৰ আৰু পুনৰ মচোপটেমিয়ালৈ যোৱা নহল।

অসমীয়াৰ স্বৰাজ

—শ্ৰীযুত জ্ঞাননাথ বৰা, বি-এল

আজি যে অসমীয়া ডেকাদল নতুন ভাবত মতীয়া হৈছে তাক কেৱে সুই বুলিব নোৱাৰে। প্ৰত্যেক ডেকাই কেনেকৈ দেশৰ উন্নতি হয় আৰু জাতিৰ উন্নতি হয় তাক ভাবিছে। বৰ্ত্তমান সকলৰ বহত সভা-সমিতি অসমৰ ঠাঁয়ে ঠাঁয়ে হৈছে। সেই আটাইবিলাক ডেকাৰে কাম; আৰু তাৰ পৰা ভালকৈ বুজিব পাৰি যে আমাৰ জাতিয়ে এথোপ উধাবঁলৈ প্ৰয়াস কৰিছে। সমুদায় ভাবত বিষয়ি যি বাজনৈতিক আন্দোলন হৈছে তাৰ ঢৌৱে অসমকো চোৱাইছে। ই কেৱল বাজনীতি ক্ষেত্ৰত আবদ্ধ হৈ থকা নাই; ই মানুহৰ মনত নতুন ভাব উজাবি দিছে আৰু সেই ভাব সমাজ, ধৰ্ম্ম আদি ক্ষেত্ৰলৈ বিয়পিছে।

এই ন-ভাবৰ সোঁত ভাবতবৰ্ষৰ আন আন প্ৰদেশক ভেদ কৰি অসমলৈ বৈ আহিছে। ইয়াৰ প্ৰবাহত আন আন প্ৰদেশৰ মানুহে জাতীয় উন্নতিৰ সম্বল গোটাই দেশক সবল কৰিবলৈ পুকণাৰ্থ কৰিছে। অসমীয়া ডেকাই এই ন-ভাব পোৱাৰ লগে-লগে আন প্ৰদেশে কি কি কৰিছে তাৰ সন্ধান পাইছে আৰু তাকে কৰিবলৈ আগুবাইছে। এই ন-ভাব আৰু তাৰ উদ্গণিত কৰা কাৰ্য্যবিলাকৰ পাৰ্থক্য ধৰিব পৰা নাই। আন জাতিৰ কাৰ্য্যৰ লগত এই ভাব এনেদৰে সংশ্লিষ্ট কৰাটো টান হৈছে।

আন প্ৰদেশৰ কামৰ নিচিনা আমাৰ দেশেও কাম কৰা যে বেয়া এনে কথা কেতিয়াও হব নোৱাৰে। এখন দেশে আন দেশক অনুকৰণ কৰি ডাঙৰ হোৱাৰ দৃষ্টান্ত বহত আছে। অনুকৰণ কৰা উচু নহয়। এখন দেশৰ অৱস্থা আন এখনৰ লগত মিলিলে; সেই কাৰণে অৱস্থা অনুসাৰে অনুকৰণৰ প্ৰকাৰ বেলেগ হয়। এখন দেশে নিজৰ উন্নতিৰ বাবে যি যি কাৰ্য্য কৰিব লগাত পৰে, আনখন দেশেও যে হবহ সেই কাৰ্য্যকে কৰিব লাগিব এনে কথা হব নোৱাৰে। এটা জাতিয়ে আন এটা শক্তিমন্ত জাতিক অনুকৰণ কৰিব খুজিলে সেই জাতিৰ ক'ত দুৰ্ব্বলতা আছে তাক ভালকৈ বুজিব লাগিব। সকলো জাতিবে একে কথাতে দুৰ্ব্বলতা নাথাকে। এই দুৰ্ব্বলতা কেনেকুৱা? ই অন্তৰ ভেদি থাকে। ই সকলো কাৰ্য্যতে দেখা দিয়ে। ই গুপ্ত ব্যাধিৰ নিচিনা। ইয়াক নাতবালে দেশ নিশকতীয়া হৈ থাকে।

অসমীয়াৰ দুৰ্ব্বলতা ক'ত? সকলো কাৰ্য্যতে আমি কিহৰ অভাৱ অনুভৱ কৰিছো? কি ব্যক্তিগত কাম, কি দেশৰ কাম কিহৰ অভাৱত মানুহে কৰিব পৰা নাই? এয়ে ধন নহয় নে? অসমীয়াৰ হাতত ধন নাই। এই কথা পুৰণি—আওপুৰণি। ধন নহলে কোনো কাৰ্য্য হব নোৱাৰে। বিনাধনে মানুহে যেনেকৈ কাম কৰিব নোৱাৰে, দেশেও তেনেকৈ কাম কৰিব নোৱাৰে। ধনৰ ব্যৱস্থা কৰিব নোৱাৰিলে কোনো কাৰ্য্যই সিদ্ধ নহয়। যেই সংসাৰত থাকি কাম কৰিব খোজে সি প্ৰথমে ধনৰ এটা ব্যৱস্থা নকৰিলে কোনো কাৰ্য্যতে হাত দিব নোৱাৰে। এই কথা আটাইয়ে জানে, তত্ৰাচ আমি তাক কৰিব পৰা নাই; কৰা দূৰৈত থাওক বুজাও নাই।

আমাৰ সৌভাগ্যত ভাবতৰ নেতৃবৃন্দ অসমত সমবেত হৈছিল আৰু কেবাজনে ইমুৰৰ পৰা সিমুৰলৈ ভ্ৰমণ কৰিছিল। তেখেতসকলক দেখুৱা ৱ হৈছিল বহল ভূমুহুৰা, শাৰী শাৰী পৰ্ব্বত আৰু বিতোপন প্ৰাকৃতিক দৃশ্য আৰু কোৱা হৈছিল অসমীয়া মানুহ সৰলচিত্তীয়া, প্ৰত্যেক অসমীয়া তিৰোতাই বৰ-কাটৰ জানে আৰু ইয়াক আকালো নাই ভবালো নাই। ইয়াকে দেখি-শুনি কেইবাজন নেতাই অসমীয়াক মুক্তকণ্ঠে বখানি গৈছে। ভেওঁলোকে আমাক প্ৰশংসা কৰিব পাৰে কিন্তু এই প্ৰশংসাই আমাৰ গা ছুহুৱায়। প্ৰকৃত কথা আমি ধন-দৰিদ্ৰ। তেওঁলোকে নেদেখিলে যে দোকান-পোহাৰ আমাৰ হাতত নাই; তেওঁলোকে নেদেখিলে যে বেহা-বেপাৰ গোটেই আনৰ হাতত। আনাৰ দেশৰ ধন পৰে নিছে, আমাৰ মানুহ ঋণ-জালত পৰি কষ্টকাইছে, বিদেশীৰ হেঁচাত আদমবা হৈছে।

অসমীয়াই ধন পাব ক'ত? ধন হয় বেহা-বেপাৰত। বাণিজ্য যাৰ হাতত ধন তাৰ হাতত। অসমীয়াৰ হাতত দেশৰ বেহা-বেপাৰ নাই, ধন পাব কেনেকৈ? বিদেশীয়ে বেহা-বেপাৰ, ব্যৱসায় সমস্ত হাত কৰি অসমীয়াক গোলাৰ্ম কৰিছে। বিদেশীয়ে অসমীয়াক উঠ বুলিলে উঠে, বহ বুলিলে বহে। অন্নবস্ত্ৰৰ কাৰণে অসমীয়াই বিদেশীৰ আগত নিতো হাত পাতিছে। "বাণিজ্যে বসতি লক্ষ্মী"—এই কথা মুখে মুখে কওঁ কিন্তু বুজিছোঁ ক'তা? আমাৰ মাজত আজি লক্ষ্মী নাই। বিদেশীয়ে লক্ষ্মী-আইক টানি-আজুৰি অসমৰ কোলাৰ পৰা লৈ-গৈছে, তুমি চকু মেলি চাই আছা।

বেহা-বেপাৰ জাতিৰ ঘাই সম্বল। ইয়াৰ অবিহনে কোনো জাতি জগতত তিষ্ঠিব নোৱাৰে। ইয়াৰ কাৰণে পৃথিবীত বিপুল ব্যৱস্থা। জগতৰ প্ৰবল দেশ-বোৰেই চোৱা, ইয়াৰ কাৰণে সিবিলাকে কি কৰা নাই? ইংলণ্ড, জাৰ্ম্মানি, ফ্ৰান্স, জাপান, আমেৰিকাই নিজৰ গোটেই শক্তি-সামৰ্থ্য বেহা-বেপাৰত উজৰ্গি দিছে। এয়ে সিবিলাকৰ জীৱ। যি অখণ্ডপ্ৰতাপে পৃথিবীৰ দেশ-বোৰৰ ওপৰত সিবিলাকে প্ৰভাৱ বিস্তাৰ কৰিছে তাৰ ভুৰি বেহা-বেপাৰ। ইয়াৰ কাৰণে জগতত তুমুল যুদ্ধ বাবধাৰ হৈছে। সিবিলাক নতুন দেশে সবল হবলৈ দেহে-কেহে চেষ্টা কৰিছে, সিবিলাকেও বেহা-বেপাৰকে সাবোগত কৰিছে। কাৰণ, এয়ে সৰ্ব্বস্ব। বেহা-বেপাৰ যদি হাত কৰিব পাৰা তেঁহে জগতত তিষ্ঠিব পাৰিবা নহলে তোমাৰ মৃত্যু অনিৰ্ব্যাৰ্য্য। কোনো প্ৰকাৰে তুমি সাবিব নোৱাৰা। আচবিত কথা, অসমীয়াই ইয়ালৈ আওকাণ কৰি আন কাম হাতত লৈছে! এয়ে যে আমাৰ ঘাই সমস্যা তাক উপলব্ধি কৰা নাই। যদি অসমীয়া জাতি জগতত তিষ্ঠিব খোজে তেন্তে পৃথিবীৰ আন জাতিৰ নিচিনা বেহা-বেপাৰ হাত কৰিব লাগিব। পৃথিবীৰ আন আন দেশ যি বাটেৰে গৈছে, সেই বাটত যিমানেই হল-জোৰ থাওক, তাক লবই লাগিব।

অসমীয়াৰ হাতত বাণিজ্য নাইকিয়া কাৰণে ২১ লক্ষ বিদেশী আহি অসম ছানি পৰিছে। আৰু কত লক্ষ বিদেশী আজি অসমৰ ছৱাবত থিয় হৈছেহি। অসমৰ পৰা কোটি কোটি টকা বাজলৈ ওলাই গৈছে। বিশাল ব্ৰহ্মপুত্ৰ অসমৰ বুকৰ মাজেদি বৈ গৈছে। ইয়াৰ ভীষণ সোঁত আমি নিতো দেখিছোঁ, ইয়াৰ হোহোৱনি শুনিছোঁ। ব্ৰহ্মপুত্ৰৰে নিচিনা আৰু এটা ভীষণ সোঁত বৈ গৈছে। ইয়াক চকুৰে নেদেখোঁ, ইয়াৰ হোহোৱনি শুনো। কিন্তু ইইতৰ আয়তন একে, তীব্ৰতা একে। এই সোঁত ধনস্ৰোত। এই দুই সোঁতৰ প্ৰভেদ আছে। ব্ৰহ্মপুত্ৰৰ সোঁতে গাওঁ-ভূঁই উৰ্ব্বৰা কৰিছে, মানুহক জীৱ দান কৰিছে; ধনস্ৰোতে মানুহক কঙ্গাল কৰিছে, দেশ মৰুভূমি কৰিছে। এই সোঁত আজি এশ বছৰ ধৰি বৈছে। ই যি ফালেদি বৈ গৈছে, সেই ফালে গাওঁ-ভূঁই উষৰ হৈছে। এই সোঁতক ভেটা দিব নোৱাৰিলে তোমাৰ সৰ্ব্বস্ব যাব, তুমি নিজৰ দেশতে ধৰকৰাই মৃত্যুৰ মুখত পৰিবা। কেৱে তোমালৈ উলাই নাচাব। বেহা-বেপাৰ হাতত নাথাকিলে জাতি লোপ পায়—ই এটা জগতৰ বীতি, এটা নিয়ম; ইয়াৰ অন্যথা হব নোৱাৰে। তুমি নিমানেই আনফালে চেষ্টা কৰা তোমাৰ উদ্ধাৰ নাই। যেতিয়াইকৈ দেশৰ বাণিজ্য তোমাৰ হাতলৈ আনিব নোৱাৰা তেতিয়াইকৈ কোনো কাৰ্য্যই তোমাক ৰক্ষা কৰিব নোৱাৰে। তুমি বীৰ, তুমি সাহসী হব পাৰা, তুমি স্বাৰ্থত্যাগী হৈ সকলো এৰিব পাৰা, অনাহাৰ ব্ৰত ধৰি মৃত্যুৰ লগত ধেমালি কৰিব পাৰা, তুমি পোতাশালত বন্দী হৈ অকাতৰে শাস্তি লব পাৰা, দুখ ক্লেশ ইতিকিং কৰিব পাৰা, তোমাৰ অদ্ভুত কাৰ্য্যৰে জগত চমকাব পাৰা, ভাবতে তোমাৰ যশগীত গাব পাৰে কিন্তু দেশ আৰু জাতিক ৰক্ষা কৰিব

নোৱাৰা। দেশৰ বাণিজ্য আনৰ হাতত সমৰ্পণ কৰি নিজে বীৰ বীৰেন্দ্ৰ হলেও দেশ ৰক্ষা নপৰে। চাৰিওফালৰ পৰা বিদেশীয়ে আহি দেশ আগুৰি ধৰিছে। সিবিলাকৰ পৰা জাতিক মুক্ত কৰিবলৈ এটা মাথোন বাট আছে। সেয়ে বেহা-বেপাৰৰ ব্যৱস্থা কৰা।

অসমীয়া ডেকাই এই বিষয়ে আজিলৈকে চেষ্টা কৰা নাই। কিমান শিক্ষিত ডেকাই বছৰে বছৰে স্কুল কলেজ এৰি ইনাই-বিনাই ফুৰিছে তাৰ লেখ-জোখ নাই। সৰহ ভাগে চৰকাৰী বা আন কাম বিচাৰি হাবাথুৰি খাইছে। এজনেও দোকান পাতিবলৈ বা বেপাৰ কৰিবলৈ আগুৱা নাই।

অসমীয়া ডেকাৰ বৰ্ত্তমান কেবাটিও ডাঙৰ অনুষ্ঠান আছে। সিবিলাকে এই বিষয়ে কোনো যত্ন কৰিছে নে? যত্ন কৰা দূৰৈত থাওক, এই সম্পৰ্কে যে ভাবিছে তাৰ কোনো চিন পোৱা নাই। এই যে আমাৰ ঘাই বস্তু, ই নহলে আমাৰ উদ্ধাৰ নাই, ভালকৈ উপলব্ধি কৰা নাই। অসমৰ আৰু ভাৰতৰ আন আন প্ৰদেশৰ ভিতৰত প্ৰভেদ আছে। অসমৰ বেহা-বেপাৰ যে সমূলি বিদেশীৰ হাতত এনে নহয়, তদুপৰি বিদেশীৰ সংখ্যা অসমীয়াতকৈ সৰহ। গোটেইখন ভাৰতবৰ্ষ চাই আহা, কোনোখন প্ৰদেশতে এনে কথা নেদেখিবা। এয়ে বৰ্ত্তমান ঘোৰ জাতীয় সমস্যা।

এই সভাবোৰত অনেকে বক্তৃতা দিছে আৰু বহুত প্ৰস্তাৱ দিয়া হৈছে। প্ৰায় আটাইবিলাকতে ঘাইকৈ খাদৰ প্ৰচলন আৰু স্বৰাজৰ বাণী প্ৰচাৰ সম্পৰ্কে কোৱা হৈছে। আমাৰ বাতৰি-কাকতবোৰতো এই কথাৰ আলোচনা নিতৌ হব ধৰিছে। এই কেইটা বিষয় যে অলাগতিয়াল এনে নহয়; কিন্তু যিটো বস্তু নহলে আমি তিষ্ঠিব নোৱাৰিম, যি সমস্যাই আমাৰ মূল সমস্যা, যাৰ ওপৰত অসমীয়া জাতিৰ জীৱন-মৰণ নিৰ্ভৰ কৰিছে, যাৰ আগত আনবোৰ তুচ্ছ, সেই বিষয়ে কোনো আলোচনা হোৱা নাই। আচল বস্তু এৰি আনবোৰৰ কাৰণে হাবা-থুৰি খাইছোঁ। ই আন প্ৰদেশক অনুকৰণ কৰাৰ ফল। আমাৰ ডেকাদলে নিতৌ সেই প্ৰদেশবিলাকৰ বাতৰি-কাকত পঢ়ি ন-ভাব ন-উদ্‌গণি পাইছে। সিবিলাক প্ৰদেশত খাদৰ প্ৰচলন আৰু স্বৰাজৰ বাণী প্ৰচাৰ আদি কথা লৈ তুমুল আন্দোলন হৈছে। সেই আন্দোলনেৰে আমাৰ দেশকো খলক লগাবলৈ আমাৰ ডেকাৰ মন উত্ৰাৱল হৈছে। সেই কাৰণে ডেকাৰ অনুষ্ঠানবিলাকত ইয়াৰ তীব্ৰ আলোচনা হৈছে। এই উৎসাহ বাস্তৱতে দেশৰ মঙ্গলৰ চিন। কিন্তু এইটো কথা পাহৰিব নালাগে যে অসমৰ অৱস্থা ভিন আৰু ইয়াৰ সমস্যাও ভিন। আন আন প্ৰদেশে যি যি কথাৰ কাৰণে আন্দোলন কৰিছে সেই আন্দোলনে অসমীয়া জাতিক কন্দাপি ৰক্ষা নকৰে। ইয়াত আন্দোলন সুকীয়া হব লাগিব। * কেনেকৈ দেশৰ বেহা-বেপাৰ হাত কৰা যায় এয়ে আন্দোলনৰ উদ্দেশ্য হব লাগিব। ডেকাদলৰ কাৰ্য্যৰ এয়ে লক্ষ্য হব লাগিব।

স্বৰাজ পালে অসমীয়াই বেহা-বেপাৰ একেদিনে হাত কৰিব পাৰিব, সেই কাৰণে আন আন প্ৰদেশে যি কৰিছে আমাৰ দেশেও বৰ্ত্তমান তাকে কৰিব লাগিব। এই কথা সঁচা নে? এই যুক্তিৰ অৰ্থ আছে নে? বেহা-বেপাৰ এদিনত কোনোবাই হস্তগত কৰিব পাৰিছে নে? বৰ বৰ দেশেও বহুত বছৰ চেষ্টা কৰিহে ইয়াক হাত কৰিছে। দেশময় দোকান কৰা, হেজাৰ হেজাৰ মানুহে নাও আৰু জাহাজেদি বেপাৰ কৰা, বেঙ্কবোৰ সৃষ্টি কৰা এদিনৰ কাম নহয়। ইয়াৰ কাৰণে স্বাধীন দেশবোৰেও নিজৰ গোটেই শক্তি আৰু বল প্ৰয়োগ কৰিছে। স্বৰাজ পালেও অসমীয়াই বিদেশীৰ হাতৰপৰা বাণিজ্য কাঢ়ি আনিব নোৱাৰে। ইয়াৰ বাবে ভিন চেষ্টা, ভিন যত্ন লাগিব। অসমীয়াই বেপাৰ কেনেকৈ কৰে তাক শিকিব লাগিব। বিনা শিক্ষাই স্বৰাজ পালেও ইয়াক হাত কৰিব নোৱাৰে। এই শিক্ষা একেদিনে নহয়। ইয়াক লাভ কৰিবলৈ বহুত বছৰ লাগিব। দুখৰ বিষয় আজি অবধি এই শিক্ষাৰ আৰম্ভণ হোৱা নাই। এই শিক্ষা হব কেনেকৈ? তুমি আজিও বেহা-বেপাৰলৈ মন মেলা নাই। বিদেশীৰ

* এই আন্দোলন কি বিধৰ হব লাগিব আৰু কেনেকৈ চলাব লাগিব তাক "আসামত বিদেশী" বোলা পুথিখনত বহলাই আলোচনা কৰা হৈছে।—লিঃ

হাতত বাণিজ্য থাকিলে তুমি শিকিবা কেনেকৈ? স্বৰাজ পোৱালৈ বৈ থাকিলে তোমাৰ অস্তিত্ব নাথাকিব। তুমি যিমানেই স্বৰাজৰ কাৰণে আন আন প্ৰদেশৰ নিচিনা কাম কৰা সিমানেই বিদেশীয়ে দলে দলে আহি তোমাক হেঁচি ধৰিছে। তুমি যিমানেই স্বাৰ্থত্যাগ কৰি দেশৰ কাৰণে ক্লেশ ভুঞ্জিছা সিমানেই বিদেশীয়ে মহাৰঙ্গে আহি দোকানৰ জাল পাতিছে, তোমাৰ ধন নিছে, তোমাৰ মাটি-বাৰী নিছে। তুমি ধৰুৱা। গাৱঁলৈ যোৱা, দেখিবা শতকৰা ৯০ জন অসমীয়া বিদেশী মহাজনৰ ধৰুৱা; নগৰলৈ আহা, দেখিবা শতকৰা ৯০ জন অসমীয়া শিক্ষিত ভদ্ৰলোক ধৰুৱা। এই ঋণ যদি বেপাৰৰ কাৰণে কৰিলে হেঁতেন তেন্তে সেই ঋণ ঋণ নহয়। কিন্তু অসমীয়াই যি ঋণ কৰিছে সেই ঋণ নিজৰ পেট প্ৰবৰ্ত্তাবলৈ আৰু লৰা-ছোৱালীক খুৱাবলৈ। গোটেই অসমীয়া জাতি ধৰুৱা। আজি ১০ বছৰ তুমি অন্যান্য প্ৰদেশৰ নিচিনা আন্দোলনত যোগ দি সিবিলাকৰ দৰে কাম কৰিলা কিন্তু এই দহ বছৰে বিদেশী অহা বন্ধ কৰিব নোৱাৰিলা। বৰঞ্চ সুবিধা পাই হেজাৰ হেজাৰ বিদেশী আহি দেশৰ বাণিজ্য হস্তগত কৰি অসমীয়া জাতিটোক গোলাম কৰিছে। এনেকৈ বহুত দিন থাকিব নোৱাৰে। তুমি যদি এটা ব্যৱস্থা নকৰা তেন্তে তোমাৰ পতন অনিবাৰ্য্য। অসমীয়া জাতি ধ্বংস পাব। সেই ধ্বংসৰ কাৰ্য্য হোৱা নাই কিন্তু ইয়াৰ পূৰ্ব্ব লক্ষণ দেখা গৈছে। আমি আগতকৈ শিক্ষিত হৈছোঁ সঁচা, আমাৰ ভিতৰত বিশ্ববিদ্যালয়ৰ মহলাত উঠা লোক সৰহ হৈছে সঁচা, আমাৰ ভাষাৰ উন্নতি হৈছে সঁচা, আমাৰ সাহিত্যৰ উন্নতি হৈছে সঁচা, আমি আগতকৈ আন আন বিষয়ত উন্নতি কৰিছোঁ সচাঁ, কিন্তু এয়ে আমাক ৰক্ষা নকৰে। এই উন্নতি ইন্দ্ৰজালৰ নিচিনা, ই আমাৰ মনত নতুন আশা দিছে; আমি যে ধ্বংস হব পাৰোঁ এনে ভাব মনলৈ আহিব দিয়া নাই। এয়ে ভ্ৰম। বাণিজ্যত মন নিদি আন আন বিষয়ত যিমানেই উদ্গতি কৰাহঁক সেই উদ্গতিয়ে জাতিক ৰক্ষা কৰিব নোৱাৰে। ৰোমৰ পতনৰ সময়তহে সাহিত্যৰ উন্নতি, দৰ্শনৰ উন্নতি, বিজ্ঞানৰ উন্নতি বেছি হৈছিল; কিন্তু সেয়ে ৰোমান জাতিক ধ্বংসৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে। এইটো দেখোতে অদ্ভুত যেন লাগে। কিন্তু বুৰঞ্জীয়ে এই সত্য প্ৰচাৰ কৰিছে। অসমীয়াই এই উন্নতি দেখি হাত সাবটি বহি থাকিলে নহব। ধ্বংস এবাৰ হবলৈ ধৰিলে আৰু ৰক্ষা নাই; দুদিনতে লয় পাব। ধনৰ অভাৱত আৰু ধাৰ শুজিব নোৱাৰি অসমীয়া খেতিয়কে নিজৰ মাটিবাৰী সকলো আনৰ হাতত সমৰ্পিব লাগিব। মানুহ তেনেই দুখীয়া হব, যি উন্নতি দেখিছা সি ক্ৰমে ক্ৰমে জঁয় পৰি আহিব।

৫২৫৩/অ:

অসমীয়াই বেহা-বেপাৰ হাত নকৰাকৈ স্বৰাজ পাব নোৱাৰে। দেশৰ বাণিজ্য আনৰ হাতত দি স্বৰাজৰ কাৰণে চেষ্টা কৰিলে স্বৰাজ পোৱা দূৰৈত থাওক নিজৰ অস্তিত্বই হেৰুৱাব। অসমীয়াৰ কাৰণে বেহা-বেপাৰেই স্বৰাজৰ একমাত্ৰ বাট। ইয়াতেহে বৰ্ত্তমান আমাৰ গোটেই শক্তি বলবুদ্ধি অৰ্পিব লাগিব। বোম্বাই, মান্দ্ৰাজ, যুক্তপ্ৰদেশ, পঞ্জাব আদি প্ৰদেশবোৰ আমাৰ আহি নহয়। সিবিলাকত অসমৰ সমস্যা অৰ্থাৎ বিদেশীৰ হেন্দোলনি নাই। আমাৰ কাৰ্য্য সুকীয়া হব লাগিব। আমাৰ স্বৰাজৰ বাট ভিন। আন আন প্ৰদেশে যি বাটেৰে গৈ স্বৰাজত উপনীত হব সেই বাট আমাৰ নহয়। আমাৰ বাট ভিন হব পাৰে কিন্তু গম্যস্থান একে। এই বাট লবৰ এয়ে উপযুক্ত সময়। এতিয়া নললে পাছলৈ তেনেই অপাৰগ হম।

———

বন্ধুৰ দান

(৩য় সংখ্যাৰ পাছৰপৰা)

গল্প— —শ্ৰীযুত বাপুৰাম কাকতী

(৪)

এবছৰ পাৰ হৈ গ'ল। মই এতিয়া শিৱসাগৰৰপৰা বদলি হৈ আহি ঘৰৰ ওচৰ পালোঁ। ঘৰৰপৰাই অহাযোৱা কৰি কাম চলাওঁ।

ঘৰত দেউতা বৌটী আছে—খোৱা-লোৱাৰ কোনো চিন্তা নাই। তাহানি গধূলিৰ দৰে বান্ধনি-ঘৰৰ এচুকত বহি কানাইক এইটো এনেকৈ বান্ধ, সেইটো তেনেকৈ বান্ধ বুলি বৌটীক শিকাব নালাগে। কেতিয়াবা অনধিকাৰ চৰ্চ্চা কৰিবলৈ গলে কয়, "মা বা মোক শিকাব নালাগে, যেতিয়া এঘৰৰ এজনী আনি লবি তেতিয়া যিমান পাৰ শিকাবি।" লাজত তলমুৰ কৰি ওলাই আহো। মোৰ দুখ নাই কিন্তু সম্পূৰ্ণ সুখ দিওঁ দিওঁ বুলি বিধতাই নিদিলে। এপিনে যেনেকৈ সুখ আনপিনে সেইদৰে দুখবো অন্ত নাই। সকলেপৰা ঘৰৰ নিলগে নিলগে থকাৰ বাবেই নে কি কৰ নোৱাৰো কাৰো লগত মোৰ সদ্ভাব বা বিদ্বেষো নাই।

সাংসাৰিক কাম কাজ খোৱা বোৱা আগৰ দৰেই নিয়মিত, আগৰ দৰেই চলিছে। মোৰ মন কেতিয়াবা এইবিলাকৰ সীমা ঠেলি সেই পূৰ্ব্বস্মৃতিৰ মাজত ডুবগৈ পৰে। সেই দিন কি আকৌ নাহিব? ই অসম্ভৱ কেৱল এটি সুখস্বপ্নৰ স্মৃতি আঁকি দি অতীতৰ গৰ্ভত লীন হৈ গৈছে? ই কি কেৱল ক্ষণস্থায়ী মোহ? যেনেকৈ বঙ্গীন চচমা পিন্ধিলে পৃথিবীৰ সকলো বস্তুকে বঙ্গীন দেখি, মংহা কি সেইদৰে কেৱল চকুত মোহৰ বঙ্গীন চচমা পিন্ধেৰেই আছিলোঁ? এইদৰে নানা চিন্তাজালৰ মাজেদি সন্ধ্যা লাগি ভাগে।

বিমলৰ পৰা এখন চিঠি পাইছোঁ। সি এতিয়া আগৰ সেই বিমল নহয়। মহকুমাৰ হাকিম হৈ আহিছে। সি লিখিছে, ভাই! বহুত দিনৰ আশা ঈশ্বৰৰ দয়াত আজ তহঁতৰ আশীৰ্ব্বাদত পুৰ হ'ল। মই তোৰ স্নেহ ধাৰ শুজিব নোৱাৰো। ধনেৰে মই তোতকৈ চহকী হব পাৰো, কিন্তু তোৰ মন মোতকৈ হাজাৰগুণে ধনী। কেতিয়াবা হিংসা হয়, যদি মই মই নহৈ তই হলোঁহেতেন। পেটে পেটে হাহি উঠিল। ভাবিলো আইনৰ পুটৰ্ক পঢ়ি ইয়াৰ মুৰত ধবিলেগৈ। সি এতিয়া হাকিম, কোনে জানে কাইলৈ বদলি হৈ আহি মোৰ ওপৰত হুকুম নচলাবহি বুলি? আকৌ ভাবিলো, ঈশ্বৰে যেন তাহঁতক সুখে বাখে। হাকিম হলে কি হ'ল তথাপিও সি মোৰ তাহানিৰ নলে-গলে লগা বন্ধু—সেই বিমলাই। স্বৰ্গ বিয়া হৈছে। কোনোমতে খাটি লুটি চাহাবক খুজাইমেলি দুদিনৰ ছুটী মঞ্জুৰ কবাই বিয়ালৈ গলো। মহা সমাবোহ। দবাটোকো দেখিলো ভাল। বি-এ পাছ কবি ওকালতি পঢ়িছে। টকা থকা মানুহ। বিমলৰ মুখে শুনিলো বিলাতত আই-ছি-এছ পঢ়িবগৈ বুলি। স্বৰ্গৰ কপাল ভাল। কপালৰ জোৰতহে এনে দৰা পাইছে। বাহী বিয়াৰ দিনাই ছোৱালী নিয়া ঠিক হল। মাকে কান্দিছে। নাকান্দিবই বা কিয়? একেই এজনী ছোৱালী, তাকো দিব লগা হল দুবণি বাটলৈ। বিমলেও মনটো ৰাখি আছে। বৰ দুখ লাগিল। ভাবিলো, মানুহৰ লগত মিলে থকা অনুগুত। যিমান সোনকালে পৰা যায় ইহঁতৰ স্নেহৰ জাল ছিন্নি পেলোৱাই ভাল। স্বৰ্গ মোৰ কি হয়? তাইক এঘৰলৈ উলিয়াই দিব লগাত মোৰ ইমান বেজাৰ কবাবেই বা কাবণ কি?

ডেৰটা বাজিল; মটৰ তৈয়াৰ, ছোৱালী উলিয়াই দিবৰ সময় হ'ল। বটা এটাত কেথনমান ধুবিজ্যা তামোল লৈ স্বৰ্গই মই বহি থকাতে সেৱা কবিলে। মই



Lakshmibilas Press Ltd., Calcutta

ওচৰতে থিয় হৈ কিছুপৰ মোৰ ফালে চাই থাকি কলে, "কি কবিছে দাদা! বাইদেউক আশীৰ্ব্বাদ নিমিয়ে কিয়?" ভাল আপদ! আশীৰ্ব্বাদ এযাবো মনত নপবিল। মাত্ৰ হৃদয়ৰ কোনোবা এটা নিফুট গহ্বৰৰ পৰা এটি হমুনিয়া অন্তৰ ভেদ কবি ওলাই গল আৰু কেটোপামান চকুৰ পানী মোৰ বাধা নামানি আপোনা-আপুনি ওলাই তাইৰ শিৰত পবিল। নিজক কিছু সংযত কবি কলো, উঠা স্বৰ্ণ! ঈশ্বৰে তোমালোকৰ মঙ্গল কবক। ওবণিৰ ডলত তাই উচুপি উচুপি কান্দিলে। মুবত হাত বুলাই অনেক বুজনি দি নিজেই বাহিবত অলপ শান্তি পাওঁ বুলি ওলাই আহিলোঁ।

স্বৰ্ণৰ পৰা চিঠি পাইছোঁ, তাইৰ ভাল। নলীন বিলাতলৈ নগল। বিমল আৰু নিজৰ টকাৰ জোবত দুয়ো ভণ্টীয়ৈকে ব্ৰহ্মাত এখন কয়লাৰ খাট কিনি লৈছে। আয়ো বিস্তৰ হৈছে, এই বছেবেকতে প্ৰায় ডেবলাখ টকা। মনত আনন্দ উপচি পবিল। ভাবিলো ঈশ্বৰে সিহঁতক সুখে বাখক। মোৰ কি আছে, কি দি সিহঁতক সহায় কবিম। মোৰ সহায়ত যেন ঈশ্বৰে সিহঁতক নেপেলায়। চিঠিৰ তলত নলীনে লেখিছে "কাম এবি ইয়ালৈ গুচি আহক। দুয়ো লগ লাগিলে অলপ কম খবচতে আৰু অনেক কয়লা আৰু কেবাচিন তেলৰ পুং উলিয়াব পৰা হব।" স্বৰ্ণয়ো ববকৈ অনুবোধ কবি লিখিছে, দাদা! আপুনি নহাকৈ নাথাকিব। কি কবিম। মই যাব নোৱাবো। যাবৰ মন আছে কিন্তু মই গলে বুঢ়া আই-বোপাই আৰু এই সক সক ভাইকিটাৰ ভাৰ লব কোনে? সাত সমুদ্ৰ তেবনদী পাৰ হৈ যাবলৈ মোক তেওঁলোকে এবি নপঠিয়ায়। অনেক ভাবি নলীনলৈ খোলোচা লিখিলো, ক্ষমা কবিব; মই বৰ্ত্তমান যাব নোৱাবো। যাবৰ সাধ্যও মোৰ নাই। যদি তেনে সুযোগ পাওঁ পিছে-পৰেও দেখা যাব। মোৰ কথাত বোধ কবা নলীনে বেয়া পালে। তাৰপবা তাৰ কোনো খবৰ নাই, মাত্ৰ মাজে-সময়ে যি স্বৰ্ণই অলপ খবৰ লয়।

ভুল! জীৱনত ভুল নহয় কাৰ? কতবাৰ মনত হয়, তাহানিৰ মধুময় স্মৃতি যদি দুইমুছি অন্তৰৰ পৰা লুপ্ত কবি দিব পাবিলোঁ হেতেন, ফস্তেকৈ যি এটা মহৎ ভুল কবি আহিছিলোঁ তাক যদি পাহবিব পাবিলো হেতেন! কিন্তু ক'ত? যিমানেই ভাবো যিমানেই চেষ্টা কবোঁ পাহবি যাওঁ বুলি, সি সিমানেই মোক বেঢ়ি ধবে অসহ্য! সেই ভুল সংশোধন কবিব পৰা শক্তি মোৰ নাই।

দূবৈত শঙ্খধ্বনি দবাকাঁহৰ মধুৰ বাগিণী বাজি উঠিছে। মহামাযাৰ আগমনত মঙ্গল-উৎসবে গোটেই নগৰ তল-ওপৰ লাগিছে। লবা ছোৱালীৰ চিঞৰ বাখৰ, মটবৰ ঘবঘব শব্দ, দোকানী পোহাবীৰ "চাই গবম চাহ" "কমলা লেবু" সকলোটি মিলি মোৰ কাণত পবিল। চকমক খাই সাব পালোঁ। বেলি প্ৰায় আঠোটামান বাজিছে। বিছনাৰ পৰা উঠি হাতমুখ ধুলৈ ওলাই আহিছো এনেতে পিয়নটোৱে এখন চিঠি দি গল। সুন্দৰ প্ৰকাণ্ড লেফাফা—বঙীন লেফাফাৰ ওপবত কপালী চিয়াহিবে ফুল বছা। সাৰধানে লেফাফাৰ মুখখন ফালি চিঠিখন খুলি পঢ়িলোঁ—বিমলৰ পৰা আহিছে। অনেক কথা লিখিছে—বিশেষকৈ মাইৰ বিষাৰ কথা। চিঠিৰ পৰা যিমান বুজিব পাবিলোঁ, বুজিলোঁ। বাপেকে ভাল অৰ্থসঙ্গতি থকা দবাটোলেহে ছোৱালী দিব। সি আৰু স্পষ্ট লিখিছে—"তোৰ আশা নাই"। নহবই তো, মোবনো আছেই বা কি? ভাবিলোঁ—যদি মোৰ আজি টকা থাকিলহেঁতেন! পুৰ ফালৰ পৰা এহাটি বতাহ বলি মোক যেন কাণে কাণে কৈ গ'ল 'বসন্ত! আশা নাই! আশা নাই!!' মনত হ'ল বৃথা চেষ্টাৰ আৰু প্ৰয়োজন কি? শৰীৰ বিদৰে ক্লান্ত অবসন্ন তাতেই বুজিছো। আৰু এই অকৰ্ম্মণ্য দেহৰ ভাৰ বৈ বেছিদিন জীয়াই থাকিব নালাগে। মৃত্যুৰ সিপাবে এখনি কৰ্ম্মক্ষেত্ৰত অনেক প্ৰাণীৰ সমাগম হব লাগিছে। সেই কৰ্ম্মক্ষেত্ৰৰ হাঁটুবি নিয়াৰিৰ মাত যেন অলপ অলপ শুনিবলৈ পাইছোঁ। এই দেহ, এই শক্তি ক্ৰমে ক্ষীণ আৰু ক্ষীণ হৈ আহিব, জীৱন প্ৰদীপ নিষ্প্ৰভ হৈ পবিব। তাৰ পিছত সকলোবে শেষ। এই জীৱনৰ সমস্ত দোষ, সকলো ভুলভ্ৰান্তি মুবত লৈ এই সংসাৰৰ পৰা অদৃশ্য হব লাগিব—এয়ে ভাল।

কব নোত্রাবো কিমান পবব মুবত জ্ঞান আছিল, চকু মেলি চাই দেখো, ওচবত বহুত মানুহ বহি বিষাদ মুখে মোব ফালে চাই আছে। সেই চাৰনি যেন মোব অসহ্য হল। মুবটোত বব বিষ। ইকাতি কবিব খুজিলো—নোৱাৰিলোঁ। আকৌ চকু মুদিলো। লাহে লাহে মনত পবিল—অকস্মাতে মুব ঘুবাই বিছনাত পবি যোৱাব কথা। আজি চাবি দিন একেবাহে জ্ব। অবব ত্রমত কেতিয়া কি কৈছিলো ঠিক নাই। ভয় হল জানোচো সকলো কথাকেই মোব অজ্ঞাতে কাবোবাক কৈ পেলালোঁ।

বিমলে খবব পাই এমাহব ছুটী লৈ আহিল, পুবা ডেবমাহ মমে-মানুহে টনাটনি কবি সেহত মানুহবে জ্ব হ'ল, বিকট মুর্ত্তিব যমদূতবিলাক বণভঙ্গ দি যেন মোক এবি আঁতব হ'ল। বিমল আহি মোব কেনেকে কি হল সকলো বুজিলে। কলহছে আমেবিকা আবিষ্কাব কবাদি সি মোব পেটাবি মেলি অনেক গুপ্তকথাও আবিষ্কাব কবিলে।

গা ধুবলৈ বিমল ওলাই গল। জবাজীর্ণ ভবি দুখনত অবসন্ন দেহব ভব দি বিমলব জেপব পবা এটা ছিগাবেট আনো বুলি উঠি গলো। জেপত হাত ভবাই চাওঁ এখন চিঠি। কাব চিঠি? মায়ে লিখিছে বিমললৈ, "দাদা! আজি কেবাদিনো নবিয়াব একো সংবাদ পোৱা নাই। উত্তব দি মনব চিন্তা দুব কবিব। মোব মন এই কেদিন বব উত্তাবল হৈ পবিছে।" হেঁপাহ পলুৱাই পঢ়িলো। গাত যেন অলপ বল পালো। ভবিলো, এই নিছনাব খবব মায়ে এতিয়াও বাখিছে। ঘুবি আহি বিছনাত আকৌ বহিলো। বিমল ভাত খাই উঠি মোব ওচবত বহিলহি। তাব মুখলৈ চাই সুধিলো, "বিমল চিঠিব উত্তব দিলি? সি অলপ আচবিত হৈ মোব ফালে চাই বল। কলো, "আচবিত হব নালাগে। আজিব ডাকত যাব চিঠি আহিছিল?" "অ, মাইব কথা কৈছ?" এই বুলি সি হাঁহি এটা মাবি হঠাৎ গম্ভীব হৈ কলে, "বন্ধু! অনেক চেষ্টা কবিলো, সকলো মিছা হ'ল। বাপেক মাস্তি নহয়; কিন্তু এইবাব গৈ শেষ চেষ্টা কবি চাম। তহঁতব মিলন মন্দিবত যদি মোব সর্ব্বস্ব অর্পণ কবিব লগীয়া হয় তাকো দিম। বাধা দি কলো "নালাগে বিমল! সেই আশা আক মোব নাই। জীবনত অনেক শিকিলো। মোব এটা কথা বাখিবি?" "তোব কোনটো কথা মই বখা নাই? যি কথা নহক, মই তোব কথা বাখিমেই বাখিম।"

কথন মিনতিবে কলোঁ—"এয়ে তো বন্ধুব চিন। তই জান, মাইক সকবে পবা মই কিমান ভাল পাওঁ। কিন্তু সেই ভালপোৱা মোব নীচ পশুবৃত্তিব উন্মাদনাত নহয়। এই ভালপোৱা পবিত্র, নির্ম্মল। মানুহে ভাবে এক, ঈশ্ববে পাতে এক। যদি তই মাইব ভাব গ্রহণ কব তেন্তে মোব জীবনব বোজা অলপ পাতলে। তোলৈ মাইক দিবব বাপেকব কোনো আপত্তি নাই।" কিছুপব টনকা মাবি বিমলে কলে—"তই মোক অন্তবেবে অনুমতি দিছ?" উত্তেজিত হৈ কলো—"অন্তবেবে—প্রত্যেক অণুপবমাণু পবীক্ষা কবি চা; দেখিবি সকলোবে একবাকে তোক অনুমতি নহয় কাতবকণ্ঠে অনুবোধ কবিছে এই ভাব তোক লবলৈ। পাবিবি? পাবিবি?" "মোক তেন্তে পিছত তই দোষ দিব নোৱাবিবি।" এই বুলি সি উঠি গল। ভাবিছিলো হৃদয়ব শুষ্কভাব অলপ পাতলিব। কিন্তু পাতলক শুচি হুঙণে বাঢ়িহে উঠিল।

গাত অলপ বল পোৱা দেখি বিমল খাবলৈ ওলাল। যাওঁতে সি কৈ গল—"শবীবব অলপ যত্ন লবি। মই আক বেছিদিন থাকিব নোৱাবো। কাইলৈ হাজিব হবই লাগিব।" সি ওচি গল। সপ্তাহে সপ্তাহে মোব খবব লয়।

ফাগুন সোমালহি। গাত আগব নিচিনা বল পালো। কিন্তু মন? সি যি দুর্ব্বল সেই দুর্ব্বল হৈয়ে থাকিল।

খবব পালো ফাগুনতে বিমলব বিয়া। ছোৱালী ওচবতে ঠিক হৈছে। বিমললৈ চিঠি লিখিলো, কব ছোৱালী কি নাম—সি যেন বেগতে উত্তব দিয়ে। ভাবিছিলো সি কেতিয়াও এই কাম নকবে। মোব হৃদয়ব সকলো কথা জানিও এনেকুবা কাম কবিব বে!

সময়ত উত্তব পালো। যি ভাবিছিলো সেয়ে হল। নিমন্ত্রণব চিঠি পালো। বিমলব মাকে লিখিছে, "বোপা! টেকেলিব দিনা গধূলি পোন্ধাকৈ জকব আহিবা তোমাব ওপবত বহুত কামব ভাব আছে। যদিহে তুমি নাহা, মই নিজেই যাব লাগিব। বুঢ়া কালত বুঢ়ীক আক কষ্ট নিদিবা। লগতে ঘবব সকলোবোব যাব লাগে। সময়মতে বিমলে মটব পঠাব। মনটো চুখে-বেজাবে ভবি পবিব।"

বিয়াব তিনদিনব আগতে মটব পালেহি, ঘবব সকলোকে পঠিয়াই "কানাই" আক মই ঘবব্বীয়া হলো।

(৫)

সন্ধিয়াব বঙ্গা বেলি পচিম ফালে লাহে লাহে মাব গৈছে। ফাগুনব ফেবফেবীয়া বতাহ বলিছে। গাত "বথা"খন মেবিয়াই আলিব ফালে ওলাই গলো। মন আজি ক্রমে দুর্ব্বমনীয় হৈ আহিছে। মনত পবিছে তাহানিব সেই ফুলত মাইবব কাণমলা খোৱাব কথা, আই-এ পঢ়িবলৈ ওলাওঁতে দদাইদেউব ক্রুপণতা, মানুহব স্বার্থপবতা, বিবহীন প্রাণীব অন্তহা। ক্রমে বাঙ্গসী ভাবনা দলে দলে আহি হৃদয় ছাটি পেলালে। মাইব লগত সকলো সম্বন্ধ ছিগি গৈছে। তাই এতিয়া মোব মানত পত্নী—মোব মবমব বন্ধু বিমলব ভাবী-ত্রী। ইয়াতকৈ আক বেছি সুখব আশা মই কবা নাই। সিহঁত দুয়োটাকে সুখে সন্তোষে থকা দেখিলে যি আনন্দ পাম তাব তুলনাত স্বর্গসুখো মোব মানত তুচ্ছ। বিমলেও একো বেয়া কাম কবা নাই। সেই দিনা মই নিজহাতে তাক সঁপি দিলো। বিমলব দোষ কি? মোব নিমিত্তে তাব ব্যতিক্রম ঘটিব নোৱাবে। জোন, বেলিয়ে যদি মুঠ বান্ধি এক পলকলৈ সিহঁতব নিয়মব ব্যতিক্রম ঘটায় তেন্তে সেই মুহূর্ত্তেই পৃথিবী কোনো এক মহা অনন্তত আচাব খাই পবি চুবমাব হৈ যাব।

"ইউ ষ্টুপিড!" চক খাই উঠিলো। "সব মাটি কবি দিলি! তোব নিমিত্তেই মোব নতুন মতবখনো ভাগিব লগা হল।" নিজক কিছু সংযত কবি আচবিত হৈ সুধিলো, "বিমল! বিমল! আজি তোব টেকেলি নহয়; বুজিছো মোক বিয়ালৈ নিবলৈ আহিছ। কিন্তু অন্তহা বুজি..." "কিন্তু কিহব? তোব কিন্তুব অর্থ তইহে বুজ, মই নুবুজো। মই তোব লগত চুপতি মাবি থাকিবলৈ অহা নাই।" মুখখনলৈ চালো। ফাগুনমহীয়া জাবতো ঘামিজামি বঙ্গা হৈ পবিছে। জীবনত আজিহে মোলৈ তাব প্রথম খং উঠা দেখিলো।

বিমল মোতকৈ দুবছবমানব ডাঙব, তাতে হাকিম মানুহ। নম্র হৈ কলো "আহ ঘবলৈ যাওঁ। যদি মোব অন্তহা বুজি খং কবিব লগীয়া হয় তাত কবিবি। এতিয়াই ঘুবি যাবি যেতিয়া চাহ এটোপাকে খাই যা। কানাই আছে, বিশেষ মস্কিল নহব।" শান্তভাবে সি কলে "বলিয়া আক কাক বোলে! আজি মোব টেকেলি, গধূলি পাব হৈ গল; সি আকৌ কৈছে আহ, চাহ এটোপা খাই যা। বাক্ব বল এবেবাহে তোক সঙ্গাই-পবাই উলিয়াই আনোঁগৈ।

চকী এখন আগবঢ়াই দি কলো, "বহ ইয়াতে।" অন্তব ভাগি চুবমাব হৈ গৈছে। তথাপি মন দমাই লৈ তাব হাতত এখন বেজিষ্ট্রী কবা উইল দি কলো "বিমল! বন্ধু! আজি এইবেলে তোক বিদায় দিব লগা হোৱাত মোব অন্তব ভাগি গৈছে। তোব বিয়ালৈ গৈ নিজ হাতেবে তোক সঙ্গাই-পবাই উলিয়াই নি মোব হাতেবেই মোব অতি আদবব মাইব হাত দুখনি তোব হাতত সপি দিবব ইচ্ছা কবিছিলো; কিন্তু কি কবিম! অত দিন ধৈর্য্য ধবি আছিলো, ধৈর্য্যচ্যুত হলো। মন বিচলিত হল। মই গলেই জানোচা কিবা বিপদ ঘটে, এই ভয়ত তোব বিয়ালৈ যাব নোৱাবিলো। তোক আশীর্ব্বাদ কবিবলো মোব শক্তি নাই, তথাপিও কায়মনোবাক্যে ঈশ্বৰক খাটিছো। নবদম্পতীক যেন সুখেবে বাখে। তোব নাই কি? তহঁতক দিব পাবো এনে মোব একো বস্তুবেই নাই; তথাপি তোব এই নিছলা বন্ধুব নগণ্য উপহাব গ্রহণ কব আক পাব যদি মোক ক্ষমা কবিবি। বন্ধুব মর্য্যাদা মই বাখিব নোৱাৰিলো।" কথা কবব শক্তি যেন আপোনা-আপুনি লুপ্ত হৈ আহিল। বিমল উঠি গল।

মোক আনকি যাওঁ বুলিও মাত এষাৰ লগাই নগল। উস! মই জানো তাক কম দুখ দিছো?

কাইলৈ বিমলৰ বিয়া। আমাৰ ওচৰতো এঘৰৰ বিয়া; অহা আহিছে, যোৱা গৈছে। গোটেই উলহ-মালহ ঢুলীয়াই ঢোল বজাইছে—ছোৱালীহঁতে বেহেনীয়া সুৰেৰে নাম গাইছে—"পিতা দূৰলৈ নিদিবা মোক এ ৰাম ৰাম—"

গৰখীয়াই গৰু মেলা পৰ হৈছে, এনেতে পিয়নটোৱে এখন টেলিগ্ৰাম দি গল। ভয়ে ভয়ে খুলি পঢ়িলো "Mai serious, come sharp. Marrige settled with Bina." কাকতখন হাতৰ পৰা সৰি পৰিল। মোৰ এনে অৱস্থা দেখি কানায়ে সুধিলে "কিবা অশুভ বাতৰি পাইছে নেকি?" কাকতখন মাটিৰ পৰা তুলি লৈ কলো, "এৰা কানাই! মাইৰ বৰ টান নৰিয়া। বিমলৰ বিয়া "বীণাৰ" লগতহে হলগৈ। মই আজিয়েই যাব লাগে। ঘৰত ভালকৈ থাকিবি। ৰাতি ভয় কৰ যদি কঁটীয়াকো মাতি আনিবি।"

বিয়াৰ দিনা দুপৰীয়া গৈ বিমলৰ ঘৰ পালো। বুঢ়ীয়ে বাটৰ পৰাই আদৰ কৰি নি কলে—"বোপা! ভাবিছিলো মাইৰ বাহিৰে অইন বোৱাৰীৰ এই ঘৰত ঠাই নহব। কি কৰিবা ঈশ্বৰে বাধা দিছে। ইপিনে সকলো যোগাৰ, অত টকা লোকচান। বীণাৰ বাপেকে বৰকৈ ধৰিলে,অগত্যা তাতে মান্তি হলো। ভাবি চালো একো বেয়া হোৱা নাই। ধনী মানুহ, ইফালে ছোৱালীজনী দেখাই মেলাই পঢ়াই শুনাই প্ৰায় মাইৰ সমানেই!" স্বৰ্ণই ওলাই আহি কলে "দাদা! আপুনি বৰ নিষ্ঠুৰ!" তাইৰ কোলাত দুবছৰীয়া এটি লৰা। লৰাটি কোলাৰ পৰা কাঢ়ি আনি তাৰ ৰঙ্গা গাল দুখনি চুমাৰে আৰু ৰঙ্গা কৰি দিলো। মৰমৰ আতিশয্যত সি তত নাপাই আধাফুটা মাতেৰে কলে "মা—মা! এলি দে।" স্বৰ্ণই হাহি হাহি কলে "মামাৰহে তোৰ পোনা"! "মামা নহয় মা, মামা মোৰ সেইটোহে" এই বুলি লৰাটিয়ে মোৰ কোঁচৰ পৰা নামি যাবলৈ চেষ্টা কৰি নোৱাৰাত কান্দি উঠিল। "আপুনি বহক দাদা!" এই বুলি পোনাক লৈ স্বৰ্ণ ভিতৰলৈ গুচি গল।

বিমলক দেখা পোৱা নাই। বোধহয় সি খং কৰিছে মোৰ প্ৰতি এনে ব্যৱহাৰ কৰিছে। স্বৰ্ণ ওচৰেদিয়েই গৈছে, মাতিলো, স্বৰ্ণ! ভোকত পেটে শাণে কটাদি কাটিছে। শুদাহাতে স্বৰ্ণই ওলাই আহি কলে—পাহৰি-ছোঁৱেই। দাদা নাই, মাইৰ নৰিয়া কালিৰ পৰা টান হৈছে। পুৱাতে খবৰ লবলৈ গল। অলপতে পাবহি, চিন্তা নকৰিব।

অলপ বিৰক্ত হৈ কলো "তোমালোকৰ সকলোৱেই অদ্ভুত। বেমাৰ নোহোৱা হ'লে সেই মায়েই তোমাৰ বৌদেৱেৰা হল হেঁতেন। সেই ঘৰলৈকে গধূলি দৰা হৈ যাব লাগিল হেঁতেন, পদূলিতে বিয়াৰ আমপাত কলপুলি এতিয়াও সেইদৰেই আছে, তালৈকে এতিয়া আকৌ লৰি গৈছে।" লগতে সুযোগ বুজি কথাৰ ছলতে সুধিলো "মাইৰ জ্বৰ এতিয়া কমিছেনে?" "নাই কমা দাদা! এতিয়াই আপোনাক কৈ থৈছো এই বেমাৰত যদি তাই ফাঁকি দি আমাৰ হাতৰ পৰা পলাই যায় তথাপি মই তাইক নেৰিছো। এদিন বৌদেউ হম বুলি তাই মোৰ পৰা সকলো মৰম, চেনেহ, ভক্তি, কৰাই-ক্ৰান্তিয়ে আদায় কৰি এতিয়া তলে তলে চিত্ৰগুপ্তৰ খাতাত নাম লিখালেই কি মই এৰি দিয়াজনী? তাৰে পৰা গৈ টিকনিত ধৰি এদিন এবেলালৈ হলেও বৌদেউৰ আসনত বহুৱাইহে এৰিম। ভাল কথা মনত পৰিছে—ভোকে লঘোনে আপোনাৰ বৰ কষ্ট হৈছে। কি কৰিম! ভাবি চক বিয়াৰ দিন, অতবোৰ মানুহক সোধা-পোছাৰ ভাৰ মোৰ ওপৰত, আপোনাক খাবলৈ দিওঁনো কোনটো সময়ত? বেয়া নাপাব, একেবাৰে মানুহক খুৱাবৰ সময়তে খাব।"

স্বৰ্ণ ওলাই গল। অন্তৰ অপমানত জ্বলি পুৰি উঠিছে। এই স্বৰ্ণয়ে তাহানি মোৰ অলপ অসুখ হলেই কান্দি কাটি মজিয়া ভহাই দিছিল নহয়? স্বৰ্ণ এতিয়া লাখ লাখ টকাৰ মালিক। ধনৰ বলত তায়ে মোক আজি অতীতৰ স্নেহ দয়া মায়া সকলো পাহৰি অপমান কৰি গল।

কেউপিনে খোৱাৰ ধুম পৰিছে। নিমন্ত্ৰিত অনেক ভদ্ৰলোক আহিছে, খাইছে, গৈছে। কেৱে মোক

নামাতিলে, কেৱে মোক কিবা খালেনে বুলিও নুসুধিলে। দূৰৈৰ গাৱঁৰ এজন চিনাকি বন্ধু পালো। খাই-বৈ তেওঁ বিমলক বিদাই লবলৈ আহি লগ নাপাই মোকে মাত লগাই গল। দুজন ভদ্ৰলোকে কথাবতৰা হৈছে,—শুনিলো আজিয়েই মাইৰো বিয়া। ভাবিলো, নহয় এওঁলোকে আচল কথাটো জনাই নাই। মাইৰ জ্বৰৰ কথা এওঁলোকে গম পোৱা নাই। আকৌ ভাবিলো এই-বোৰ বিমলৰ ষড়যন্ত্ৰ নেকি? বিয়ালৈ নাহো বুলি কিজানি সি সেইদৰে টেলিগ্ৰাম কৰিছিল। নহয় মাকেও কৈছে বীণাৰ লগতে বিয়াৰ ঠিক হল। মাইৰ টান নৰিয়া। বুঢ়ী মানুহ—মিছা কথা কব কিয়? ক্ৰমে বিমলৰ বন্ধুত্ব, মাক আৰু স্বৰ্ণৰ স্নেহ, মাইৰ ভালপোৱা সকলো বিহ যেন লাগিল। দুৱাৰখন জপাই অকলে অকলে আকাশ পতাল ভাবি আছো।

সন্ধিয়া লাগিল। ইমান পৰেও মোক কোনেও মাত এষাৰি নিদিলে। আন দিনা হোৱা হলে স্বৰ্ণই দাদা দাদা বুলি কতবাৰ মাতিলে হেতেন, কিন্তু আজি! ক'ত সেই স্বৰ্ণৰ স্নেহ বিমলৰ বন্ধুত্ব—নিমিষতে সকলো বতাহত তুলা উৰি যোৱাদি উৰি গল।

গিৰগিৰকৈ ঢাক ঢোল বাজি উঠিল। ভিতৰত জাত জাত কৰে নামৰ ৰোল উঠিছে। পানী তুলিবৰ হ'ল।

হঠাৎ ভিতৰত কোঢ়াল উঠিল—শুনিলো স্বৰ্ণই পানী পানী বুলি চিঞৰিছে। কি হল? ইচ্ছাসত্বেও ভিতৰলৈ গৈ কিনো হল খবৰ লবলৈ নহল। পিছত শুনিলো দৰাৰ মাকৰ মূৰ ঘূৰাই পৰি আছে। বৌটীয়েহে পানী তুলি আনিলেগৈ।

বেগাবেগিকৈ দুৱাৰ মেলি স্বৰ্ণই সোমাই আহি কলে "দাদা! আপোনাক বৌটীয়ে মাতিছে, বেগেতে আহক।"

ভিতৰ সোমাই গলো। বিমলৰ মাকে কলে "বোপা! বিমল আৰু তুমি মোৰ মানত একে। এতিয়ালৈকে সি ঘূৰি নাহিল যেতিয়া আৰু বেগেতে অহাৰ আশা নাই। তুমি আজি মোৰ মান বচাব লাগে। নহলে বুঢ়ীক আৰু কাইলৈ দেখা নাপাবা।" ভয় খাই উঠি সুধিলোঁ "কি কৰিব লাগে আইতা। আপোনালোকৰ নিমিত্তে কৰিব নোৱাৰা কাম মোৰ একো নাই।" বুঢ়ীয়ে মোৰ হাত দুখনত ধৰি কলে, বোপাই! একো নতুন কাম নহয় অনেক ঠাইতে এনেকুৱা হয়—মাত্ৰ সাহ আৰু বুদ্ধি লাগে। নোৱাবৰ সময় হলহি, আন পিনে সম্প্ৰদান হব লাগে এঘাৰটা বজাতে। বিমল এতিয়াও নাহিল। মই বিবুধি, কি কৰো? শেহত ভাবি পালোগৈ তোমাকে নোৱাই-ধুৱাই মাইহতৰ ঘৰৰ ওচৰলৈ লৈ যাম। তাতে সি উঠিব। মই তালৈ খবৰ পঠিয়াম। মটৰৰ শব্দ শুনিলেই সি ওলাই আহিব।

বজ্ৰপাত পৰা মানুহৰ দৰে ময়ো কথাষাৰ শুনিয়েই থৰ হলো। বুঢ়ীয়ে আকৌ কলে—"কোৱা বোপা! নিমাত হলা দেখোন?" কি কৰো এতিয়া? হাকিমৰ ইজ্জৎ বচাব লাগে, অগত্যা মান্তি হলো।

কৰবাৰ পৰা স্বৰ্ণই হাঁহি হাঁহি আহি কলে—দাদা! চোলা কাপোৰ নিজেই সোলোকাবনে নাই মই সোলোকাই দিব লাগিব?

খঙ্গে মূৰৰ চুলি পালেগৈ। ভাবিলো আটাইবোৰ গোট খাই বিয়াঘৰত অতবোৰ মানুহৰ মাজত মোক বহুৱা তুলিব খুজিছহক, আকৌ হাহি চেনেহ ফেৰা দেখুৱাবলৈ আহিছ? শান্তভাৱে কলো "হৈছে স্বৰ্ণ! সেইফেৰা অনুগ্ৰহ আৰু নকৰিলেই ৰক্ষা। এই বেচেৰা নিৰীহ প্ৰাণীটোৰ ওপৰত জোৰজুলুম নকৰিবা। পুখুৰীতে গৈ গাটো ধুই আহিব পাৰিম।" শহা জালত পৰিলে কোন চিকাৰীয়ে তাক এৰি দিয়ে? জোৰ কৰি ধৰি নি লগত সমনীয়া ছোৱালীবোৰে সৈতে আধা খুন্দা হালধি আৰু মাহ ঘঁহি ফাগুনমহীয়া জাৰত কলহে কলহে মূৰত চেঁচা পানী ঢালিহে এৰিলে।

নোওৱা-ধুওৱা শেষ হ'ল। ৰাইজৰ আশীৰ্ব্বাদ শিৰত লৈ মটৰত উঠি বহিলো। ঢোলে-দগৰে মুহিহে তিৰোতাই ঠেচাঠেচিকৈ ডেৰকুৰিখন মটৰ লানি পাতি আগ বাঢ়িল। কেউপিনে ঢোলৰ মাত, ফট্‌কাৰ শব্দ, বন্দুকৰ গুৰুম-গাৰাম ধ্বনি, সকলো মিলি এক বিৰাট

বীণাই আহি মোৰ ভৰিত ধৰি সেৱা কৰিবলৈ ধৰিছে। দুহাতমান পাছ হুহকি চিঞৰি চিঞৰি কলো "ৰবা ৰবা মোক নুছুবা, ভুল কৰিছা ; অকল তোমাৰ নহয় সকলোৰে ভুল হৈছে—এনে ভুল যি ভুল তুমি জন্মে জন্মে দেখা নাই আৰু আজিলৈকে শুনাও নাই। এতিয়া একো নুবুজা ৰাতি পুৱালে যেতিয়া এই ঘৰৰ আচল দৰা-ছোৱালী ওলাবহি তেতিয়া বুজিবা। এই ঘৰৰ মই দৰা নহওঁ তুমিও কনীয়া নোহোৱা, আৰু মোৰো তুমি কোনো নোহোৱা। এতিয়াই ওলাই যোৱা। পাৰিলে এই ঘৰ এৰি তোমাৰ নিজৰ ঘৰলৈ লৰ মাৰা। বিমল—বিমল—শেহত মোক ইয়াকেহে কৰিলিগৈ ?

"কি হল বন্ধু! বিমলে তোক কি কৰিলে?" এই বুলি ওচৰৰে এখন পৰ্দ্দা দাঙ্গি বিমল সোমাই আহিল।

একেই দিনৰে পৰা তালৈ খং উঠি আছিল, তাৰ উপৰিও তাৰ নিমিত্তে কত কি যে নোহোৱা নোপোজা কাণ্ড কৰি আহিছো! খঙ্গেৰে কলো—"বিমল! তোৰ বস্তু তই চমজি লৈ মোক ইমানতে নিষ্কৃতি দে। ঘৰৰ লৰা ঘৰলৈ উভতি যাওঁ। শপত খাই কৈছো এই জীৱনত কোনো কাহানিও তোক জুলুম কৰিবলৈ নাহো। তোৰ নিমিত্তে কেতিয়াবা 'জেলত' পচি মৰিবগৈ লাগিব।"

বিমলে হাঁহিলে। সেই হাঁহিত যেন মমতা নাই মাধুৰ্য্য নাই। বিদ্ৰূপৰ ষোল অনা পূৰ কৰি লৈ সি যেন বিমলৰ মুখৰ পৰা বাজ হৈছে। আত্মহাৰা হৈ তাৰ হাতত ধৰি কলো—বিমল! বন্ধু! অঃ নহয় ভুল কৰিছো, আপুনি হাকিম। হুজুৰ ক্ষমা কৰক। ভুল কৰিছিলো, সেই ভুলৰ অনুতাপত চিৰজীৱন পুৰি মৰিবলৈ এৰি দিয়ক। কাবৌটি কৰি মাতিছো মোক এই বন্দীশালৰ পৰা মুক্তি দিয়ক।

হাহি হাহি বিমলে এহাতে মোৰ সোহাতখন তাৰ হাতৰপৰা একৰাই আনহাতে কনীয়াৰ এখন হাত চপাই আনি মোৰ হাতৰ ওপৰত থৈ শান্ত গম্ভীৰ স্বৰে কলে "বসন্ত! ভাই মোৰ!! মোৰ ভাই নাই, কিন্তু তই সেই ঠাই পূৰ কৰিলিহি। তাহানি ধেমালিৰ ছলতে আমাৰ ঘৰত গান গাওঁতে বৌটীৰ আগত কোৱা কথা পাহৰিলি? ভাবিছিলো স্বৰ্ণকে এদিন তোৰ হাতত সমৰ্পণ কৰি আগৰ বন্ধুত্ব আৰু দৃঢ় কৰি তুলিম; কিন্তু সেই ভুল মই নিজে বুজিলো। স্বৰ্ণক তই ভালপাৱ তোৰ নিজৰ ভনীৰ দৰে, আৰু এজনীক ভাল পাৱ, নিষ্কলঙ্ক প্ৰেমেৰে। আজি সেইটীকে তোৰ হাতত সঁপি দিছো। আজলী ছোৱালী সংসাৰৰ একো আও ভাও নাজানে, অনেক দোষ কৰিব পাৰে; নিজ গুণেৰে ক্ষমা কৰি তোৰ উপযুক্ত কৰি গঢ়ি লবি। আজি তইঁতক এই বেশত দেখি মোৰ অন্তৰত কি যে এক অভাবনীয় অপূৰ্ব্ব আনন্দৰ ঢৌ উঠিছে, তাক তই কি বুজিবি! তইঁতৰ যেন এই মধুৰ মিলন চিৰদিন মধুময় হৈয়ে থাকে। ব্ৰহ্মাত নলীন আৰু মোৰ নামত থকা তিনিখন কয়লাখাটৰ সমানে তিনি অংশৰ এক অংশ তোক আৰু মোৰ বৰ স্নেহৰ বোৱাৰীক এই বঙ্গলাটো বিয়াৰ যৌতুক স্বৰূপে দান দিছো। বন্ধুৰ নিৰ্ম্মল পবিত্ৰ স্নেহৰ ক্ষুদ্ৰ উপহাৰ উপেক্ষা কৰি তাৰ নামত কলঙ্ক নানিবি। মোৰ বিয়াৰ বিষয়েও তোক সম্পূৰ্ণ ফাঁকি দিয়া নাই। মাইৰ ভনীয়েক অমিয়ৰ লগত কাইলৈহে মোৰ বিয়া।" এই বুলি মোৰ হাতত একোছা লোহাৰ বাকছৰ ছাবি গুজি দি কলে "লোহাৰ বাকছত কয়লাখাট আৰু ঘৰটোৰ বিষয়ে আৱশ্যকীয় দানপত্ৰ আছে।" তাৰ পাছত মোৰ হাত এৰি কনীয়াৰ ফালে চাই কলে "কি হল মাই! নকৈছিলো মই হাত চাব পাৰো বুলি? এতিয়া লাজ ভাগিছেনে? তাহানি বৰ লাজ কৰি দেখুৱাইছিলি নহয়? থাক, থাক, কেদিনমানৰ পাছতহে তইঁতৰ লাজটোনো ক'ত থাকে দেখা যাব।"

ধমনীৰ সকলো তেজ যেন একেলগ হৈ সো-সো কৰে ওপৰলৈ উঠি আহিল। মূৰ আপোনা-আপুনি বিমলৰ ভৰিত পৰিল। ঘূৰি চাই দেখো, মোৰ অতি আদৰৰ মায়ে মোৰে কাষতে আঁঠু লৈ বন্ধুৰ পৱিত্ৰ পদত। অজ্ঞাতে মুখৰ পৰা ওলাল "দাদা!" (সমাপ্ত)

বাঘগুহাত বৌদ্ধযুগৰ শিল্পকলাৰ নিদৰ্শন



সিদ্ধাৰ্থ, ছন্দক আৰু কণ্টক—বাঘগুহা

৩য় সংখ্যা আৱাহনত বাঘগুহাৰ শিল্পকলাৰ চমু পৰিচয় দিয়া হৈছে। তাত মাথোন চৰ্থ গুহালৈ বিৱৰণী দিয়া আছে। ইয়াত আৰু বাঘগুহাৰ শিল্পকলাৰ গোটা চেৰেক নিদৰ্শন দেখুৱাই সামৰণি মৰা যাব।



গৌতমী আৰু যশোধৰাৰ বিননি—বাঘগুহা

হলৰ পাছফালে যিটো স্তূপ আছে তাত এটা ঠেক বাটেৰে সোমাব লাগে। প্ৰবেশঘৰত দুটা স্তম্ভ আছে। প্ৰবেশঘৰৰ দুয়োখন দেৱাল মনোৰম কাৰুকাৰ্য্যেৰে শোভিত। একেলগে তিনটাকৈ মূৰ্ত্তি আছে—মাজত বুদ্ধদেৱ আৰু দুয়োফালে দুজনা বোধিসত্ব। বুদ্ধদেৱৰ মূৰ্ত্তিটো আন দুটা মূৰ্ত্তিতকৈ ডাঙৰ। সোমোৱামাত্ৰে দখিণফালে তিনটা মূৰ্ত্তি পোৱা যায়। মূৰ্ত্তি তিনটা বেছ স্পষ্ট। বুদ্ধৰ মূৰ্ত্তিটো ১০৪টা পদুমফুলৰ ওপতৰ থিয় হৈ

থকা। মূৰ্ত্তিৰ গাত যি ৰেখা আছে সি গুপ্তযুগৰ। প্ৰবেশঘৰৰ দখিণমূৰৰ দেৱালত তিনটা মূৰ্ত্তি আছে—কুন্তী, ভীম আৰু অৰ্জ্জুনৰ। বাওঁফালৰ ত্ৰিমূৰ্ত্তি দ্ৰৌপদী, নকুল আৰু সহদেৱ। এইবোৰ ঠাইত বুদ্ধমূৰ্ত্তিক ৰমণীমূৰ্ত্তি বুলি গণ্য কৰা হৈছে।



সিদ্ধাৰ্থ, উদায়ী, মন্ত্ৰী, পুৰোহিত—বাঘগুহা

৫ম গুহাত কেতবোৰ সুন্দৰ চিত্ৰ দেখিবলৈ পোৱা যায়। ৬ষ্ঠ, ৭ম, ৮ম আৰু ৯ম গুহাত উনুকিয়াবলগীয়া চিত্ৰ বিশেষ একো নাই। শেহৰ গুহা তিনটা ভগা অৱস্থাত।

আন দেশৰ শিল্পকলাৰ কথা আলোচনা কৰোতে আমি আমাৰ নিজৰ দেশখনৰ কথা পাহৰিব নোৱাৰোঁ। শিল্পকলাবিষয়ত অসমৰ স্থান কিমান ওপৰত হব তাক আজিলৈ জুখিবলৈ কেৱে প্ৰয়াস কৰা নাই। ভিনদেশীয় প্ৰত্নতাত্ত্বিককো অসমীয়া শিল্পকলাই আকৰ্ষণ কৰা নাই। কামৰূপ অনুসন্ধান সমিতি স্থাপিত হোৱাৰ পাছৰেপৰা অৱশ্যে প্ৰাচীন সম্পদ সংগ্ৰহ কাৰ্য্য আগুৱাইছে আৰু অনেক মূৰ্ত্তি সংগৃহীত হৈছে। সমিতিৰ উদ্যোগী কৰ্ম্মী শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী ডাঙৰীয়া এই বিষয়ত আগৰণুৱা। তেখেতৰ অনুগ্ৰহত বহুত প্ৰাচীন মূৰ্ত্তিৰ ছবি আলোচনীত প্ৰকাশ হব ধৰিছে। সেই আলোচনীয়ে অসমৰ পুৰণি শিল্পকলাৰ গৌৰৱকাহিনী অসমীয়াৰ দুৱাৰে দুৱাৰে বিলাই দি ফুৰিব ধৰিছে। আমি বৰ দুখেৰে কবলগীয়াত পৰিছোঁ যে বাৰেওমাহে প্ৰাচীন সম্পদ সংগ্ৰহ কৰি ফুৰিবলৈ সমিতিৰ কোনো কৰ্ম্মচাৰী নাই। এনে কৰ্ম্মচাৰী এজনা বা তাতকৈ বেছি থকা হলে সমিতিয়ে অনতি-পলমে বিদশী দৰ্শকক চমক্ খুৱাব পাৰিলেহেঁতেন। কটকী ডাঙৰীয়া নাইবা আন যিসকল প্ৰাচীন সম্পদ সংগ্ৰহ কাৰ্য্যত ফুৰিছে তেখেতসকল ছৰ্কাৰৰ বিষয় খোৱা মানুহ। কেৱল দীঘলীয়া বন্ধ পালেহে খনচেৰেক ঠাইত এবাৰ ভুমুকি মাৰিব পাৰে। সেই অলপীয়া সময়ৰ ভিতৰত তেখেত সকলে যথেষ্ট সংগ্ৰহ কৰে সঁচা, কিন্তু গেটেই জাতিৰ

পক্ষে তাক যথেষ্ট বুলি কব নোৱাৰি। সমিতিৰ পুঁজিৰ ভু আমি নাপাওঁ। যদি সমিতিয়ে অৰ্থেৰে বলে পাৰে তেন্তে এনে সংগ্ৰাহক এজন ৰাখিলে তাৰপৰা দেশৰ মহৎ কল্যাণ হব, সমিতি সমৃদ্ধিত চহকী হৈ আহিব। সমিতিৰ পুঁজিয়ে যদি এই কাম হাতত লব নোৱাৰে তেন্তে ছৰ্কাৰী সহায় খুজিলেও বোধ কৰো আংশিক ফল লাভ হয়। আনহাতে, ৰাজহুৱা বৰঙ্গনিৰ ওপৰতো কেতখিনি নিৰ্ভৰ কৰিব পাৰি হবলা। আমাৰ বোধেৰে এনে এটা সজ উদ্দেশ্যলৈ ৰাইজ বা ৰজাঘৰ কেও পাছভৰি নহব। আন দেশত একোজন দাতাই লাখ লাখ টকা একোটা বিষয়ৰ কাৰণে দান কৰি যুগমীয়া খিয়াতি আৰ্জ্জি থৈ গৈছে। অসমতো বদান্য দাতাৰ অভাৱ হব বুলি ভবাৰ কোনো স্বাভাৱিক কাৰণ নাই। আমাৰ দেশত দানৰ পৰিমাণ কম হব পাৰে; কিন্তু খৰচৰ পৰিমাণো সেই অনুসৰি কম হব। কেতবোৰ দেশত আঙ্গুলিয়াবলৈ ৰজা-জমিদাৰ আছে। আমাৰ দেশত চাহ-খেতিয়কসকলে সেই ঠাই অধিকাৰ কৰিছে বুলি কব নোৱাৰি নে? আন দেশৰ লগত আমাৰ পাৰ্থক্য এইখিনিত যে সেইবোৰ দেশত উদ্যোগী মানুহ আছে আৰু একো-একোটা বিভাগত কাম কৰিবলৈ কৰ্ম্মীৰ একোটা দল গঠিত হৈছে। আমাৰ দেশত লোকসংখ্যাৰ অল্পতাৰ কাৰণে আমি বিভিন্ন বিভাগত কাম কৰিবলৈ সোমাব পাৰা নাই। যি দুই-এজনে আমাৰ দেশত উদ্যোগী হৈ ফুৰিছে, তেখেতসকলৰ কৰ্ম্মাৱলী সৰ্ব্বসাধাৰণৰ মাজত সোমালে সিয়ে কৰ্ম্মীসকলৰ অন্তৰত অনুপ্ৰেৰণা জগাই তুলিব। প্ৰত্যেক বিভাগৰে কৰ্ম্মপ্ৰচেষ্টাৰ বিবৰণী ঘাতৰিকাকতৰ জৰিয়তে ৰাইজৰ মাজত বিলাই দিব লাগে। এই বিবৰণীয়ে কৰ্ম্মী-সংঘ গঠন নকৰি নাথাকে। আমি আশা কৰোঁ সমিতিয়ে সংগ্ৰাহক এজন নিযুক্ত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিব। এই কামত সমিতিৰ বৰ বেছি খৰচ হলেও বোধকৰোঁ এজন সংগ্ৰাহকৰ গাত বছৰেকত পাঁচশ টকাৰ বেছি নপৰিব। জাতি এটাৰ প্ৰাচীন গৌৰৱ উদ্ধাৰ কৰিবলৈ পাঁচ শ টকা অসমীয়াৰ মানত একো টান কথা নহয়।



শিবাজী-জীৱনত ভুমুকি

—শ্ৰীযুত চিদানন্দ দাস, বি-এ

সময়ৰ অভাৱ সময়ত আঁতৰ কৰাই ঈশ্বৰৰ নীতি। অজ্ঞানতাৰ পিছত জ্ঞান, দুখৰ পিছত সুখ, আন্ধাৰৰ পিছত পোহৰ আৰু দৰিদ্ৰতা আদিৰ পিছত সুখসম্পদৰ দিন দিয়াই চিৰকলীয়া প্ৰথা। সৃষ্টিৰ পাতনিৰে পৰা এই নীতিৰ ভেটিকেই অবলম্বন কৰি সংসাৰচক্ৰ ঘূৰি আছে। সংসাৰৰ সকলো পৰিবৰ্ত্তনৰ মূলত এই নীতিকেই দেখা যায়।

পৃথিবীৰ ইতিহাসত এনেকুৱা যুগ দেখা যায়, যেতিয়া ধৰ্ম্মৰ ওপৰত অধৰ্ম্মই, দুৰ্ব্বলৰ ওপৰত বলৱানে, দৰিদ্ৰৰ ওপৰত ধনীয়ে আৰু সত্যৰ ওপৰত অসত্যই প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰি সকলো সুন্দৰ আৰু চিৰস্থায়ী আদৰ্শ বা বিষয় বিলাকক ধ্বংসৰ বাটলৈ টানি নিয়ে। মনীষী কাৰ্লাইলৰ মতে মানৱ জাতিৰ মনৰ ভাবৰ প্ৰথম প্ৰকাশৰ লগে লগেই বুৰঞ্জীৰ সৃষ্টি। বুৰঞ্জীৰ এই আৰম্ভণিৰ পৰাই ভাল আৰু বেয়া শক্তি দুটাৰ অৰিয়াঅৰি চলি আহিছে। সকলো দেশৰ সকলো কালৰ বুৰঞ্জী ইয়াৰ উদাহৰণত বেছ চহকী। প্ৰকৃতপক্ষে চাবলৈ গলে এই নীতি বুৰঞ্জীৰ এটা ঘাই সোঁত। কিয়নো সিহতৰ ক্ৰিয়া আৰু প্ৰতি-ক্ৰিয়াৰ ফলৰ বৈজ্ঞানিক আৰু প্ৰকৃত বিবৰণ প্ৰকাশ কৰাই বুৰঞ্জীৰ ঘাই কাম।

সংসাৰৰ আন আন বস্তুৰ দৰে সকলো দেশ আৰু জাতিবিলাকো এই উত্থান আৰু পতন নীতিৰ তলতীয়া। ঐশ্বৰিক শক্তি আৰু মানুহৰ ভাল বেয়া নানা কাম ইয়াৰ নিয়ামক। ধৰ্ম্মৰ গ্লানি আৰু অধৰ্ম্মৰ প্ৰতিপত্তি আঁতৰাবলৈ ঈশ্বৰে নানা ৰূপ ধৰি আবিৰ্ভাৱ হোৱা কথাৰ সত্যতা সকলোৱে স্বীকাৰ কৰে। স্বাৰ্থান্ধ ধৰ্ম্মযাজক সকলৰ অধৰ্ম্ম আচৰণ আৰু এজন নীচমনা লোকৰ কৃত্ৰিম বিশ্বপ্ৰেমিকতাই পাপৰ বহুমুখী সোঁত বোৱাই ধৰ্ম্মক আধামৰা কৰা সকলো জাতিৰে ধৰ্ম্মৰ বুৰঞ্জীত এটা সাধাৰণ ঘটনা। তেনেকুৱা অৱস্থাত ঐশ্বৰিক শক্তিয়ে নিজক প্ৰকাশ নকৰাকৈ নাথাকে। ধৰ্ম্মপ্ৰাণ যীশু, মহম্মদ, শ্ৰীকৃষ্ণ আদি অৱতাৰসকলে লুপ্ত ধৰ্ম্মক প্ৰাণ দিয়া কথা আটায়ে জানে। এই কথাৰ সত্যতা অকল ধৰ্ম্মক্ষেত্ৰতেই আবদ্ধ কৰি ৰাখিলে ভুল হব যেন লাগে। ইয়াক আমি ৰাজনীতি আদি ক্ষেত্ৰলৈকো নিব পাৰো। পৃথিবীৰ বুৰঞ্জীয়ে এই কথাৰ সত্যতা ভালকৈ প্ৰমাণ কৰে। এসময়ত ফ্ৰান্স, আমেৰিকা, চীন, ৰুচিয়া আৰু আয়াৰলেণ্ড আদি দেশ সকলো প্ৰকাৰে প্ৰপীড়িত হৈ নিজৰ অস্তিত্ব হেৰুৱাব লগা হৈছিল। এই সকলো বিলাকতে অন্যায় আৰু উৎপীড়নৰ প্ৰকাণ্ড ধুমুহা উঠি সভ্যতা লোপ কৰিব খোজা কথা সকলোৰে জনাজাত। কিন্তু যথাৰ্থতে হল কি? ধৰ্ম্মক্ষেত্ৰৰ নিচিনাকৈ এই ক্ষেত্ৰতো এই নীতিৰ প্ৰভাৱ দেখা গ'ল। তাৰ ফলত নেপোলিয়ান, ৱাশ্বিংটন, চান-ইয়াৎ-চেন, লেনীন আৰু মিচেল আদি মহাপুৰুষ সকলৰ আবিৰ্ভাৱ হল। এওঁলোকৰ প্ৰাণপণ চেষ্টাৰ ফলত নিজৰ নিজৰ দেশত নতুন প্ৰাণৰ সঞ্চাৰ হল। এওঁলোকে দেশৰ সকলো বিষয়তে ঐন্দ্ৰজালিকৰ নিচিনাকৈ পৰিবৰ্ত্তন ঘটাই জাতীয়তাৰ ভেঁটি গঢ়ি তোলা কথা সকলোৰে বিদিত। তাৰ ফলত পৃথিবীৰ ইতিহাসত নতুন অধ্যায় এটাৰ যোগ হল আৰু জাতীয়তা এটা শক্তি হৈ পৰিল।

এই প্ৰবন্ধৰ প্ৰধান নায়ক ছত্ৰপতি শিবাজীৰ আবিৰ্ভাৱেও প্ৰায় একে কথাকেই প্ৰমাণ কৰে। তেওঁৰ জন্মৰ সময়ত দাক্ষিণাত্যৰ বিশেষকৈ মহাৰাষ্ট্ৰা দেশৰ অৱস্থালৈ চকু দিলে এই কথা বুজিবলৈ সহজ হব। দাক্ষিণাত্য, বিজাপুৰ আৰু জিঞ্জিৰা আদি কেইবাখনো

মুছলমান বাজ্যত বিভক্ত আছিল। সেই কালৰ দাক্ষিণাত্যত হিন্দুৰ জাতীয়তা আৰু ধৰ্ম্ম বুলিবৰ বিশেষ একো নাছিল। হিন্দুধৰ্ম্ম আৰু জাতীয়তা মহিমুৰ কবি তাৰ আহিলাবে মুছলমান ধৰ্ম্ম আৰু সমৃদ্ধিৰ পৰিপুষ্টি সাধন কবাটো মুছলমান বজাসকলৰ জীৱনৰ ব্ৰত হৈ পৰিছিল। প্ৰায় সকলো কেইখন মুছলমান বাজ্যৰ ভিতৰত ভিতৰুৱাকৈ নানা বাদ-বিসম্বাদ থাকিলেও হিন্দু জাতিক উৎপীড়ন কবাটো সকলোবে সাধাৰণ উদ্দেশ্য আছিল।

প্ৰকৃতিয়ে জাতীয় চৰিত্ৰ আৰু সমৃদ্ধিৰ ওপবত মহৎ প্ৰভাব বিস্তাৰ কবে। গ্ৰীচ, ইঞ্জিপ্ত আৰু ভাৰতবৰ্ষ আদি দেশেই ইয়াৰ প্ৰমাণ। কাজেই মহাবাষ্ট্ৰীয় জাতীয় চৰিত্ৰ আৰু সমৃদ্ধিকো যে ই এটা বিশেষ গঢ় দিব, সি অতি স্বাভাৱিক কথা। মহাবাষ্ট্ৰা দেশ পাৰ্ব্বত্য আৰু বনাকীৰ্ণ হোৱাত তাৰ লোকসংখ্যা তাকৰ আৰু মাটি অসাকৰা। কৃষি বা আন ব্যৱসায়ৰ সুবিধা নথকাত, বেছিভাগ মানুহে মুছলমান বাজ্যত চাকবি কবি জীৱিকা আৰ্জ্জিব লগা হৈছিল। পৰ্ব্বত আৰু নদীয়ে দেশখন সৰু সৰু নানা খণ্ডত বিভক্ত কবাত, বাসীন্দাসকল সিচবিত হৈ পৰিবলৈ বাধ্য হৈছিল। তাৰ ফলত তেওঁলোকৰ মনত জাতীয়তাৰ ভাবে অকণো ঠাই নাপাইছিল কিন্তু আনফালে প্ৰাকৃতিক প্ৰভাৱৰ বিশিষ্ট দানে আমাৰ দৃষ্টি আকৰ্ষণ কবে। তাৰ ফলত, নিৰ্ভীকতা কষ্টসহিষ্ণুতা আদি জাতীয় চৰিত্ৰৰ প্ৰধান উপাদানবিলাকে তেওঁলোকৰ হৃদয়ত ঠাই ললে। কিন্তু সেই সকলো বিলাক নামত হে হল। উপযুক্ত নেতাৰ অভাৱ আৰু বাজকীয় উৎপীড়নৰ হেচাত মহাবাষ্ট্ৰা জাতিৰ প্ৰতিভা প্ৰায় লোপ পাব লগা হ'ল।

বিপদ অকলে নহা কথাটো অতি সত্য। সেই সময়তেই প্ৰবল প্ৰতাপী মোগল সম্ৰাট আওবজীবৰ দাক্ষিণাত্য বিজয়ৰ সূচনা হ'ল। তাৰ ফলত মোগল শক্তিৰ পৰিচায়ক ফৌজ আদিয়ে ভূতৰ ওপবত দানহ পবা কথাৰ সত্যতা প্ৰমাণ কবিলে। আওবজীবৰ হিন্দুধৰ্ম্মৰ ওপবত আক্ৰোশৰ কথা সকলো বুবঞ্জীপাঠকেই জানে। তেওঁৰ ধ্বংস নীতিয়ে দাক্ষিণাত্যত তল-ওপৰ লগালে। তাৰ ফলত হিন্দুৰ সকলো জাতীয় আৰু ধৰ্ম্মৰ অনুষ্ঠানে শেষ নিশাস লব লগা হ'ল।

ওপবত কৈ অহা প্ৰথামতে এই সন্ধিক্ষণত অন্তৰাবা ঐশ্বৰিক শক্তিৰ বিকাশৰ আৱশ্যক হ'ল। তাৰ ফলত পাহাৰ-পৰ্ব্বতে বেঢ়ি থকা অঁচাকৱা আৰু উৎপীড়িত মহাবাষ্ট্ৰা দেশৰ মুক্তিদূতৰ আবিৰ্ভাব। ছত্ৰপতি শিবাজীক অন্তৰাবা বুলি যীশু, মহম্মদ আৰু বুদ্ধ আদি মহাপুৰুষবৰ শাৰীত ঠাই দিয়াত বহুতে আচবিত হব পাবে। ধৰ্ম্মক্ষেত্ৰৰ অন্তৰাবৰ সকলে ধৰ্ম্মৰ গ্লানি দূৰ কবি প্ৰকৃত ধৰ্ম্ম প্ৰচাৰ কবাৰ দবে, বাজনীতি ক্ষেত্ৰৰ অন্তৰাব সকলেও উৎপীড়ন, বিচ্ছেদ আদি ধ্বংসৰ শক্তিবিলাক দূৰ কবি পৃথিবীত নতুন যুগৰ সৃষ্টি কবে।

একোটা বিশেষ নীতিয়ে যুগপ্ৰবৰ্ত্তক ঘটনা ঘটোৱা কথা বুবঞ্জীপাঠকে জানে। মহাত্মা গান্ধীৰ অহিংসা নীতিয়েও পৃথিবীৰ ইতিহাসত নতুন অধ্যায় যোগ কবাত কৃতকাৰ্য্য হৈছে। কিছুমানৰ মতে এই প্ৰবৰ্ত্তক নীতি বিলাকো এক শ্ৰেণীৰ অন্তৰাব। অৱশ্যে এই দুয়ো শ্ৰেণীৰ অন্তৰাবে অন্তৰাববাদীসকলক পূৰ্ণপ্ৰজ্ঞৰ পূৰ্ণ প্ৰকাশ ঘোষণা নকবে। এইবিলাক তাৰ আংশিক প্ৰকাশ বুলি ধবিলেহে ঠিক হব যেন লাগে।

শিবাজীৰ জীৱন সৰু-বৰ নানা বহুতময় ঘটনাবে পবিপূৰ্ণ। সকলোবে সেইবিলাকৰ অল্প-বিস্তৰ জ্ঞান আছে। তেওঁৰ জীৱনৰ চমু সমালোচনা কবা হে এই প্ৰবন্ধৰ ঘাই উদ্দেশ্য। কাজেই তেওঁৰ চৰিত্ৰৰ বিশিষ্টতা আৰু প্ৰতিভা আদি প্ৰকাশ কবা ঘটনাৰ আলোচনাই হে ইয়াত ঠাই পাব।

জাতিগঢ়োঁতা আৰু জাতীয় নেতা ছিটাগত তেওঁৰ আন আন সভ্য দেশৰ সকলো মহাপুৰুষৰ শাৰীত ঠাই দিব পাবি। কিন্তু দকৈ ভাবি চালে তেওঁক বহুত বিষয়ত লোকতকৈ ওখ আসন দিব পাবি। প্ৰথমতে এই কথা আচবিত যেন লাগে। আন আন দেশৰ বীবসকলৰ লগত শিবাজীৰ তুলনামূলক সমালোচনাই এই কথা প্ৰমাণ কবিব।

প্ৰথমতে আকবৰ বাদ্‌শাহৰ লগত তেওঁক বিষাই চোৱা যাওক। আকবৰৰ ক্ষমতা আৰু প্ৰতিভা সম্বন্ধে একো সন্দেহ নাই। সেইবিলাকৰ সম্বন্ধে সকলো ঐতিহাসিক একমত। কিন্তু দকৈ ভাবি চালে সন্দেহৰ ক্ষীণ ছাঁ এফেবি চকুত নপবাকৈ নাথাকে। আকবৰে নানা বেমেজালিৰ মাজতেই সিংহাসনলৈ বাট লোৱা কথা সঁচা। তেওঁৰ সময়ত নানা কাৰণে মোগলসাম্ৰাজ্যত নানা বেমেজালি ঘটা কথাও অতি সঁচা। কিন্তু আকবৰৰ নিবাশ্ৰয় নাছিল। নানা বেমেজালি স্বত্বেও বেইবাম খাঁৰ নিচিনা সুদক্ষ বাজনৈতিক পুৰুষে তেওঁৰ সোঁহাত স্বৰূপে থিয় দিছিল। তাতে আকৌ তেওঁ দিল্লীৰ চুজন বাদ্‌শাহৰ নাতিয়েক আৰু পুতেক। বাবৰে নানা কষ্টেবে প্ৰতিষ্ঠা কবা মোগল-সাম্ৰাজ্যৰ ওপবতহে আকবৰে উন্নতি সাধন কবিছিল। তেওঁ আগেয়ে চহাই খোৱা মাটিৰ ওপবত সাৰ-পানী যোগাইহে ওখ খাপৰ খেতিয়কৰ পবিচয় দিছিল। তাৰ পিছত তেওঁৰ বাজত্ব কালতো তেওঁ সমসাময়িক বিচক্ষণ পুৰুষসকলৰ সহায় নোপোৱাকৈ থকা নাছিল। মানসিংহৰ নিচিনা সুদক্ষ সেনাপতিয়ে আকবৰৰ ডাঙৰ ক্ষমতাক বেছি ডাঙৰ কবে, সিও সঁচা। টোডৰমলক মোগল-সাম্ৰাজ্যৰ অৰ্থনীতিৰ ওবিয়াল বুলিলে বেছি কোৱা নহয়। মুঠতে পূৰ্ব্বপুৰুষ আৰু সমসাময়িক পুৰুষসকলে আকবৰৰ ক্ষমতা আৰু যশৰ ওপবত অতি সামান্য হলেও কিছু প্ৰভাব বিস্তাৰ নকবাকৈ থকা নাই। অৱশ্যে সেইবিলাকে কেতিয়াও তেওঁৰ মহৎ ক্ষমতা হানি নকবে। নিজৰ চেষ্টা আৰু প্ৰতিভা নহলে আনে কাকো ডাঙৰ কবিব নোৱাবে। পৃথিবীৰ কোনো সাহিত্য বা ইতিহাসে ইয়াক প্ৰমাণ নকবে। সেই ছটা গুণ আকবৰৰ অতি মাত্ৰাই আছিল। অৱশ্যে তাৰ ওপবত সমসাময়িক পুৰুষসকলৰ প্ৰতিভাৰ ছাঁ লোগত মুহুৰা পবা দিছিল।

কিন্তু শিবাজীৰ জীৱনত কোনো সমসাময়িক প্ৰভাৱে দ সাঁচ কটা দেখা নাযায়। আৱশ্যিবে পবা শেষলৈকে ইয়াৰ অভাৱ অনুভৱ কবা যায়। অৱশ্যে সাম্ৰাজ্যৰ বিস্তৃতি, সমৃদ্ধি আৰু স্থায়িত্বলৈ চালে শিবাজীক আকবৰৰ লগত বিজোৱা টান। কিন্তু শুভ্ৰৰ গৰ্ভৰ পবা মহাবাষ্ট্ৰা

বাজ্যৰ সৃষ্টি আৰু জায়গীবদাৰৰ লবাই মহাবজা হোৱা কথাও ভাবিব লগীয়া। নিজৰ চেষ্টা আৰু প্ৰতিভাৰ বলত কৃতকাৰ্য্যতাৰ উচ্চ শিখবত উঠা হিচাপে শিবাজীৰ বেছি সুথাতি যেন লাগে।

পৃথিবীৰ বুবঞ্জীত আলেকজাণ্ডাৰ মহাবীৰ বুলি পবিচিত। অৱশ্যে তেওঁৰ সাহ, দুবদর্শিতা আদি গুণবিলাক সকলো সন্দেহৰ ওপবত। কিন্তু ভালকৈ গমি চালে তেওঁৰ ক্ষমতাৰ মূলত কি দেখা যায়? বিশাল মেকীডন্ সাম্ৰাজ্যৰ প্ৰভূত সমৃদ্ধি। তাৰ বলতেই তেওঁ পৃথিবী বিজয়ৰ নিচিনা এটা কঠিন ব্ৰতৰ ব্ৰতী হবলৈ সক্ষম হৈছিল। কিন্তু শিবাজীৰ তেনেকুৱা বিশেষ সম্বল নাছিল। বিশাল মহাবাষ্ট্ৰা বাজ্য অধীশ্বৰ হৈও তেওঁ তেনেকুৱা সমৃদ্ধিৰ গৰাকী হব নোৱাৰিলে। কিয়নো অতি বিচক্ষণ শাসনৰ থবচে তেওঁৰ হাত সদায় উদং কবি থৈছিল। নহলে আলেকজাণ্ডাৰৰ নিচিনা বিশ্ববিজয়ী বীৰ হোৱাটো তেওঁৰ পক্ষে অসম্ভৱ নাছিল যেন লাগে। লক্ষ্মীদেবী সুপ্ৰসন্না হলে আলেকজাণ্ডাৰৰ ব্ৰত লৈ ভাৰত বুবঞ্জীত পবিবৰ্ত্তন ঘটোৱাটোও সহজে ভাবিব পাবি। কাজেই তেওঁৰ আন আন বীবোচিত কার্য্য আৰু এই অভাৱে তেওঁক আলেকজাণ্ডাবতকৈ নীচ আসনৰ অধিকাবী নকবে।

দুবদর্শিতাৰ ফালৰ পবা চালে শিবাজীয়ে এটা কথাত আকবৰকো চেব পেলোৱা যেন লাগে। প্ৰবল প্ৰতাপী মহাবাষ্ট্ৰা নৌ-বাহিনীয়ে এই কথা প্ৰমাণ কবে। আকবৰ নালাগে তেওঁৰ পূৰ্ব্বপুৰুষ আৰু প্ৰতাপী বংশধবসকলেও মোগল নৌ-বাহিনী সৃষ্টি কবি ভবিষ্য বিপদৰ হাত সাবিব নোৱাৰিলে। মোগল-প্ৰাধান্যৰ দিনত ইয়াক অনাৱশ্যক বুলি কোনোৱে কব নোৱাবে। কিয়নো সেই সময়তে বিদেশী জাতিবিলাকে ভাবতত শিপা বিস্তাৰ কবিবলৈ আবম্ভ কবে। সুথাতিত মোগল-নৌ-বাহিনীৰ অভাৱে তেওঁ বিলাকৰ বাট ভালকৈ মুকলি কবে। আকবৰৰ বাজত্বৰ শেহ ভাগত তেওঁ এই ভূল বুজি পায়। কিন্তু তাৰ প্ৰতিকাৰৰ একো চেষ্টা বা উপায় দেখা নাযায়। কিছুমান ঐতিহাসিকে নৌ-বাহিনীৰ অভাৱকো মোগল সাম্ৰাজ্যৰ

ধ্বংসব আন এটা কাবণ বুলি থিবাং কবে। সেই সময়ব বুবজীয়ে ইয়াব সত্যতা সম্বন্ধে সন্দেহ দুব কবে। কিন্তু শিবাজীক এই অদূবদর্শিতাই ছোবা নাই। সুগঠিত আক পবাক্রমী মহাবাষ্ট্রা নৌ-বাহিনী তেওঁব প্রতিভাব পবিচায়ক। ইয়াব সহায়তেই তেওঁ পশ্চিম উপকূলব সিদ্দিবিলাকবপবা নিজ বাজ্য বক্ষা কবিবলৈ সক্ষম হয়। তাত বাহিবেও আন আন উপায়ে ই তেওঁব বাজ্য আক সমৃদ্ধি বঢ়োৱাত সহায় কবে।

ধর্মব ওপবত অটল বিশ্বাসে মানুহক কৃতকার্যতাব পথত আগ বঢ়োৱা কথাও শিবাজীব জীবনে প্রমাণ কবে। তেওঁব আবাধ্যা ভবানী দেবীয়েই যে তেওঁব শক্তিব কাবণ সেই কথা তেওঁ নিজে স্বীকাব কবি গৈছে। অৱশ্যে তেওঁব জীবনব কার্যকলাপ ভালকৈ পবীক্ষা কবি চালেও ইয়াব সত্যতা পোৱা যায়। আন আন দেশব বহুত বীবব জীবনীয়ে এই কথা ভালকৈ প্রকাশ নকবে। আকবব আক নেপোলিয়ানে ধর্মব বাজনৈতিক ব্যবহাব নকবাকৈ থকা নাই। অৱশ্যে এই বিজ্ঞানব যুগত সেই কথা উকৰাই দিব পবা যায়; কিন্তু মহাত্মা গান্ধীব জীবনীয়ে ইয়াক পুনব সত্যতাব পোহবলৈ আনে।

আন এটা কথাই শিবাজীক নেপোলিয়ানতকৈও ওখ খাপব জাতিগঢ়োঁতা বুলি প্রমাণ কবে। ফবাছী জাতি বব ভাবপ্রবণ। কচো আক ভলটেয়াব আদি দার্শনিক সকলব গভীব চিন্তাই ফবাছী জাতিক নতুন সাঁচত গঢ়ি তোলা কথা সকলোৱে জানে। নেপোলিয়ানে সেই গঢ়ব আলম লৈছে ফবাছী জাতিব ভাগ্যনিয়ন্তা হব পাবিছিল। অৱশ্যে তেওঁব প্রতিভা আক গঠনমূলক শক্তিও পাহবিব লগীয়া নহয়। কিন্তু শিবাজীব জীবনীয়ে তেনেকুবা আভাস নিদিয়ে। সুবিশাল সাম্রাজ্য স্থাপন কবি মহাবাষ্ট্রা জাতিক নতুন প্রাণ দিয়াত তেওঁ অকলে কগে, ভলটেয়াব আক নেপোলিয়ানব অভিনয় কবিব লগা হৈছিল।

শিবাজীয়ে বিশেষ কোনো শিক্ষা পোৱা নাছিল। ইয়াতেই সুবিধা লৈ কিছুমানে তেওঁক তেওঁব ওখ শাসন প্রণালীব প্রণেতা বুলিবলৈ টান পায়। কিন্তু শিবাজীব শাবী পুবোৱা আন আন বীবব জীবনীয়ে সেই ধাবণা ভিত্তিহীন বুলি প্রমাণ কবে। আকবব, বণজিৎ সিং আক চার্লমানে অশিক্ষিত হৈও পৃথিবীব ইতিহাসত দ সাচ থৈ গৈছে। কাজে সেই দোষে শিবাজীব অকণো সক নকবে। ববং সি তেওঁব যশস্যা বঢ়োৱাত হে সহায় হৈছে।

কিছুমানে শিবাজীক দস্যু বুলি ভাবি অন্যহেনাব চকুবে চায়। অৱশ্যে তেওঁব জীবনীয়ে নানা লুটপাটব বিবৰণ দিয়ে। কিন্তু সেইবাবে তেওঁক দোষ দিব নোৱাবি। সেই যুগব অন্যান্য চালে আমাব ধাবণা আন বকমব হোৱাটোহে সম্ভব। তাব উপবিও তেওঁব বিচক্ষণ শাসন প্রণালী, অসাধ্যা মাটি, প্রচণ্ড নৌ-বাহিনী আদি অনুষ্ঠানব থকে তেওঁব লুট প্রণালী কিছুদূব সমর্থন কবে। শান্তি সমৃদ্ধিব মূল। সদায় যুদ্ধ-বাগব চলি থকাত বেছা-বেপাবেও বিশেষ গা কবিব পাবা নাছিল। কাজেই বাজ্য সামান্য হোৱাত তেওঁ সেই নীতি অবলম্বন কবিবলৈ বাধ্য হৈছিল। এতেকে তেওঁক নিজব আক আন বাজ্যব আর্থিক উন্নতিলৈ আওহেলা কবা বুলি দোষ দিব নোৱাবি। কিন্তু ই তেওঁব সাম্রাজ্য পতনব অন্যতম কাবণ।

শিবাজীব দূবদর্শিতাব কথা আগতে কোৱা হৈছে। এতিয়া আকৌ এটা কথা উল্লেখ কবিব লগা হল। তেওঁ মধ্যযুগতেই বর্তমান যুগব সমস্যা এটা অনুভব কবিছিল। বর্তমান যুগত স্থায়ী ফৌজ বখা-নবখা সম্বন্ধে বাজনীতিক সকলব মাজত নানা আলোচনাব সৃষ্টি হৈছে। ইয়াব অনুপকাবিতা অনুভব কবাচতেও তাব প্রতিকাব দিয়া নাই। কিন্তু শিবাজীব প্রতিভাই তাব প্রতিকাব সম্ভব হোৱা কবি তোলে। তেওঁব আমোলত এটা অভিনব প্রথাই আমাব দৃষ্টি আকর্ষণ কবে। যুদ্ধব সময়ত প্রত্যেক খেতিয়কেই তেওঁব ফৌজত শাবী পুবাবলৈ বাধ্য আছিল। তাব ফলত তেওঁব অলপীয়া বাজহে সৈন্য বিভাগব অতিবিক্ত খবছব গ্রাসব পবা বক্ষা পাইছিল।

অৱশ্যে তেওঁব ফৌজ অকর্মণ্যও নাছিল। কিয়নো তেওঁব নানা যুদ্ধবাগবে সেই সন্দেহ আঁতব কবে।

মহাবাষ্ট্রক মহাবাষ্ট্রত পবিণত কবাই শিবাজীব জীবনব ব্রত আছিল। কিন্তু নানা কাবণত সি সম্পূর্ণ হৈ নুঠিল। এজন বিচক্ষণ ঐতিহাসিকে তেওঁ অসম্ভব চেষ্টা কবা বুলি তেওঁব ওপবত দোষাবোপ কবে। কিন্তু প্রতিভাশালী লোকসকলে অসম্ভব শব্দটো অভিধানত বিচাবি নাপায়। চতুর্থদ লুই, নেপোলিয়ান আক জার্মেনীব কাইজাব আদিয়েও সেই ভাব কার্য্যত পবিণত কবিবলৈ অশেষ চেষ্টা কবিছিল। কিন্তু নানা কাবণত সি সফল হৈ নুঠিল। অৱশ্যে তেনেকুবা ভাবে তেওঁলোকব প্রতিভাব পবিচয় নিদিয়ে বুলি কব নোৱাবি। ভুল কবিলেও আন আন দেশব বীবসকলব লগতহে শিবাজীয়ে ভুল কবিছিল। কিন্তু তেওঁব সফলতাই বুবজীব প্রচলিত বীতি জয় কবি সকলোকে আচবিত কবিলে হেঁতেন।

ওপবব আলোচনাব পবা শিবাজীয়ে বুবজীত অধিকাব কবা স্থান অনুমান কবিব পাবি। কিন্তু সেই সম্বন্ধে নানা মতভেদ দেখা যায়। বুবজীত কিছুমান দুর্ভগীয়া থাকে। এধন পক্ষপাতী আক বিদ্বেষী ঐতিহাসিক তেওঁলোকব দুর্ভাগ্যব কাবণ। তেওঁলোকব আলোচনাই প্রকৃত সত্যব আভাস নিদিয়ে। মহম্মদ, নেপোলিয়ান আক শিবাজী আদি পুৰুষেই তেওঁলোকব আক্রমণব উৎকৃষ্ট উদাহবণ। মহম্মদব প্রবর্ত্তিত ধর্ম্মই অশেষ নবনাবীব প্রাণত ভগবৎ-প্রেমব শুচি সিঁচোৱা কথা সকলোৱে জানে। কিন্তু কিছুমান সমালোচকে তেওঁক আন চকুবে চালে। তেওঁলোকব চেষ্টাত তেওঁ প্রবঞ্চক উপাধিবে বিভূষিত হল। মহাবীব নেপোলিয়ানব সম্বন্ধেও প্রায় একে কথা। ওঠব শতিকাব শেষভাগব যুগপ্রবর্ত্তক ফবাছী বিপ্লবব কথা সকলোবে বিদিত। কিন্তু সেই সময়ত নেপোলিয়ানে প্রণীড়িত ফবাছী জাতিব ভাগ্যনিয়ন্তাৰূপে থিয় হৈ পৃথিবীব আগত এক নতুন আদর্শ ডাঙি ধবে। কিন্তু তেনে এজন পুৰুষকো কিছুমানে অত্যাচাবী আক ধ্বংসব প্রতিমূর্ত্তি বুলি দোষাবোপ কবা কথা জনা যায়। অৱশ্যে সেইবিলাকে তেওঁলোকব সুখ্যাতি লাঘব কবিব পবা নাই।

ছত্রপতি শিবাজীও তেনেকুবা আক্রমণব পবা বক্ষা পোৱা নাই। সকলো পিনে তেওঁব কৃতকার্যতা উজ্জ্বল বাস্তৱতাত পবিণত হৈছিল। কিন্তু "দয়াদর্দ্দাব" "নবকব কুকুব" আক "চয়তানব সুচকুব পুত্র" আদি বিবিধ উপাধিয়ে তেওঁব লগ এবা নাই। বিদেশী আক বিদ্বেষী ঐতিহাসিক এইবিলাকব সৃষ্টিকর্ত্তা অৱশ্যে এই তীব্র মন্তব্যব নানা কাবণ আছে। প্রথমতে,মুছলমান ঐতিহাসিক সকলব বুবজীবিলাকে বিদেশী লিখকসকলক সামগ্রী যোগায়। তাব ফলত তেওঁলোক প্রকৃত সত্যব ওপবত নির্ভব কবিবলৈ অসমর্থ হয়। কিয়নো হিন্দু স্বৰাজ স্থাপন কবিব খোজা শিবাজীক মুছলমানসকলে প্রধান শত্রু বুলি ভাবিছিল। সেইবাবে তেওঁলোকব বিবৰণীব পবা তেওঁব উপযুক্ত সমাদব আশা কবা টান কথা। দ্বিতীয়তে, বিদেশী লিখকসকলব বহুতে শাসক শ্রেণীত ঠাই পায়। ভেদনীতিব দ্বাবাই আমাব শাসকসকলে শাসন কার্য্য চলাইছে। জাতীয় উন্নাহবণে জাতিব ওপবত বিশেষ প্রভাব বিস্তাব কবে। শিবাজীব প্রকৃত জীবনীয়ে জাতীয় জাগবণ সৃষ্টি কবি শাসন কার্য্যত বেমেজালি ঘটাব পবা তেওঁলোকব আশঙ্কা অতি স্বাভাবিক বুলি মনে ধবে। গতিকে তেওঁ-লোকব স্বার্থও শিবাজী-জীবন কলঙ্কিত কবাত দায়ী হব পাবে। তৃতীয়তে, মানুহব বেলেগ বেলেগ মনব গতিও ইয়াব কাবণ হব পাবে। প্রত্যেক মানুহবেই সফলতাব ধাবণা বেলেগ হোৱাটো অতি স্বাভাবিক। একশ্রেণী মানুহব মনত শিবাজীব সফলতাই আন ৰূপ ধাবণ কবিব পাবে। সি যি নহক শিবাজী-চবিত্রই বর্তমানে বহুতব দৃষ্টি আকর্ষণ কবিছে।

খাম্বা-থোইবীৰ সাধুকথা

(আগৰ সংখ্যাৰ পাছৰপৰা)

উপন্যাস— —শ্ৰীযুত ৰজনীকান্ত বৰদলৈ, বি-এ

ভীৰু কাপুৰুষ মানুহৰ লক্ষণ এটা আছে যে, বাহিৰত কাৰো লগত দন্দযুঁজ কৰি বলে নোৱাৰিলে সেই পৰাজয়ৰ পোটক ঘৰলৈ আহি ঘৈণীয়েকৰ ওপৰত তোলে। কোংয়েম্বাৰো এই গতিয়েই হল। খাম্বাক যুঁজত বলে নোৱাৰি, খাম্বাৰ গেমেহা-গেমেহি কিল খাই খঙেৰে ঘৰলৈ আহি ভৰি ধুবলৈ পানী অনাত পলম হোৱা বাবেই তেওঁ তেওঁৰ সৰুজনী ঘৈণীয়েকৰ ওপৰত খঙৰ জাল সাৰিলে। ইফালে থোইবীয়ে খাম্বাৰ ঘৰলৈ আহি খাম্বা অহা বাট চাই আছিল। খাম্বা আহি পোৱা মাত্ৰেই থোইবীয়ে সজাই থোৱা পানীৰে খাম্বাৰ ভৰি ধুৱাই দিলে আৰু নিজৰ ঘৰৰপৰা অনা ফলমূল জা-জলপান খাম্বাক খাবলৈ দি খাম্বাৰ সুন্দৰ সুন্দৰ ফুলবিলাক চাই আনন্দ লভিলে।

যুঁজত বলে নোৱাৰি আৰু খাম্বাই তেওঁতকৈ সৰহ আৰু ভাল ভাল ফুল অনা দেখি কোংয়েম্বাই চক্ৰান্ত কৰি থোইবীৰ দেউতাক যুৱৰাজলৈ সুধি পঠিয়ালে যে তাৰ আগদিনা অৰ্থাৎ খাম্বা আৰু তেওঁ ফুল আনিবলৈ যোৱাৰ আগদিনা ৰজাঘৰত, বিশেষ যুৱৰাজৰ ঘৰত কিবা ভোজ হৈছিল নে কি? ভোজ নোহোৱা হলে থোইবী আইদেৱে খাম্বাৰ লগত ফুল তুলিবলৈ যাওঁতে ইমানবিলাক ভাল ভাল বস্তু কেনেকৈ দিবলৈ পালে? কোংয়েম্বাৰ উদ্দেশ্য আছিল যুৱৰাজক তেওঁৰ জীয়েক থোইবীৰ খাম্বাই সৈতে প্ৰেমৰ বাতৰিটো দি থোইবীক শাসন কৰোৱাটো। কিন্তু কোংয়েম্বাৰ এই উদ্দেশ্যটোও সিদ্ধি নহল। যি সময়ত কোংয়েম্বাৰ মানুহ যুৱৰাজৰ ঘৰলৈ আহিছিল সেই সময়ত যুৱৰাজ ঘৰত নাছিল। কোংয়েম্বাৰ মানুহে আহি পোনপটিয়ে যুৱৰাজক লগ নাপাই থোইবীকে সেই কথা সোধাত থোইবীয়ে কোংয়েম্বাৰ চক্ৰান্ত বুজিব পাৰি সেই মানুহটোক গলত ধকিয়াই খেদাই দিলে। সি যাবৰ পৰত থোইবীয়ে কৈ পঠিয়ালে যে কোংয়েম্বাৰ আশা সিদ্ধি নহয়। বাপেকে দিলেও তেওঁ দুইতিৰীয়া, অথচ ভীৰু, কাপুৰুষ কোংয়েম্বাৰ ঘৰশুৱনী নহয়গৈ। দূতে গৈ কোংয়েম্বাক এই কথা কোৱাত কোংয়েম্বা আৰু খঙতে আৰু হিংসাতে জ্বলি উঠিল কিন্তু যুঁজেৰে পোনপটিৰে লগাই যুঁজায়ো খাম্বাক বলে নোৱাৰিব বুলি সাৰোগতকৈ জানি কোংয়েম্বাই কূটবুদ্ধিৰে যিমান দূৰ পাৰে খাম্বাক য'তে ত'তে অপদস্থ কৰিবলৈ কৃতসংকল্প কৰিলে।

এই সংকল্প মনত লৈ ৰজাৰপৰা আদেশ গ্ৰহণ কৰি কোংয়েম্বাই মানুহ এজাক আৰু ঢোল এটা লৈ নগৰত প্ৰায় আলিয়ে আলিয়ে ঢোল পিটি শুনাই দিলে যে পিছদিনা ৰাজঘৰত থাংজিং দেৱতাৰ পূজা হব। সেই পূজালৈ সকলো যেন যায়। খাম্বাৰ ঘৰৰ আগত থিয় দি এই কথা ঢোল পিটি দিয়াৰ লগে লগে এইটোও ওপৰুৱাকৈ শুনালে যে সিহঁতে সুন্দৰ কানিকাপোৰ আয়-অলঙ্কাৰ পিন্ধি যেন যায়। মলিয়ন কাপোৰেৰে আৰু শুদাহাতে শুদাগলে গলে ৰজাঘৰৰ দুৱৰীয়ে খেদি পঠিয়াব। খুম্নুৱে ঢোল পিটা শুনি ওলাই আহি সুধিলে "কথাটো কি, কি বাবে ঢোল পিটিছে?" এই কথাৰ উত্তৰত কোংয়েম্বাই খঙেৰে হুকি মাৰি কলে "তোৰ কাণ নাই নে? সকলোৱে শুনিছে, তইহে নুশুন নে? মই ওৰে দিনটো চিঞৰি চিঞৰি ৰজাৰ আদেশ শুনাই ফুৰিছোঁ। তোৰ কাণ দুখানহে কলা নে? যা, ইয়াৰপৰা গুচি যা"। তেওঁৰ এই কথাত খুম্নুৱে কান্দি চকুৰ পানী টুকি টুকি ঘৰলৈ

উলটি আহিল। খাম্বায়ো এই কথা শুনি আৰু বিশেষ তেওঁলোকৰ ৰাজবংশোচিত অলঙ্কাৰ-পাতি কাপোৰকানি নথকা বাবে কান্দিলে আৰু কান্দি কান্দি সেই নিশা একোকে নাখাই দুয়ো ভায়েক-ভনীয়েক পাটীত পৰি ৰল।

এইদৰে কান্দি কান্দি টোপনি অহাত শেষ ৰাতি দুয়ো ভায়েক-ভনীয়েকে সপোন দেখিলে তেওঁলোকৰ পিতৃ-মাতৃ উভয়ে অতি সুন্দৰ কাপোৰকানি, আয়-অলঙ্কাৰ পিন্ধি অতি সুন্দৰ মূৰ্ত্তিৰে হাঁহি হাঁহি তেওঁলোকক যেন কৈছে— "বাছাহঁত! তহঁতে কেলেই কান্দিছ? নাকান্দিবি। থংলেনৰ ঘৰত তহঁতলৈ অতি সুন্দৰ উৎকৃষ্ট পোছাক আয়-অলঙ্কাৰ সকলো গচ্ছিত থৈ আহিছোঁ। তহঁতে থংলেনক গৈ খুজিলেই সেইবিলাক পাবি।" এই বুলি কৈ দুয়ো অন্তৰ্দ্ধান হল।

এই সপোনটো দেখি দুয়ো ভায়েক-ভনীয়েক কোন পুৱাল কোন নুপুৱালতেই অৰ্থাৎ দোকানোকালিতেই থংলেনৰ ঘৰলৈ গল। সেই সময়ত থংলেনৰ ঘৰত চিপাহী জনত বাজে সকলোটি বিছনাত আছিল। সিমান প্ৰত্যুষতে খাম্বা-খুম্নুক সেই চিপাহীটোৱে পাই তেওঁলোকক চোৰ-চুৰুণী বুলি ধৰি পুৱাই থংলেনৰ আগত গৈ শোধালে। থংলেনে তেওঁৰ মৃতবন্ধু পুৰেণবাৰ সন্তান বুলি জানি আৰু চিনি পাই কানিকাপোৰ আয়-অলঙ্কাৰ যে দিলেই, তদুপৰি লগত বন্দীবেটীৰে সৈতে নানা উপহাৰ দি পঠালে আৰু খাম্বা-খুম্নুৰ ঘৰটোকো ভাল কৰি দিবলৈ মানুহ পঠিয়ালে।

ইয়াৰ পিছত থোইবীয়ে লগত সেনুক লৈ যেতিয়া খাম্বাৰ ঘৰলৈ আহিল তেতিয়া দেখিলে যে খাম্বাৰ ঘৰো ভাল হৈছে আৰু খাম্বা-খুম্নু উভয়ে সুন্দৰ কাপোৰকানি পিন্ধি ঘৰৰ বাৰান্দাত বহি আছে। এইটো দেখি থোইবীয়ে ভাবিলে "খাম্বাই জানোচা কোনোবা ধনী মানুহৰ জীয়াৰীক মনে মনে বিয়া কৰাই ইমান বহুমূলীয়া আয়-অলঙ্কাৰ, কানি-কাপোৰ পাইছে।" কিন্তু খাম্বা আৰু খুম্নুৰ লগত কথা-বতৰা হৈ যেতিয়া জানিলে যে সেই আয়-অলঙ্কাৰ, কানি-কাপোৰ তেওঁবিলাকৰ নিজা পিতৃকলীয়া তেতিয়া মনৰ খুদুৱনি মাৰ নিয়াই আনন্দ মনেৰে ঘৰলৈ গল। ইয়াৰ পিছত লোংথলবাৰ পুতেক খুম্নুক খোজা ফেৰৈজম্বা আহি খাম্বা-খুম্নুৰ লগ লাগিল, তেতিয়া সকলোটি ৰাজপাটলৈ গল। তাত গৈ খাম্বা, খুম্নু, ফেৰৈজম্বা সকলোৱে দেখিলে যে কোংয়েম্বাই তেওঁ তুলি অনা ফুলৰ কিছুমান ৰজাক, ৰাণীক, যুৱৰাজক, যুৱৰাজপত্নী দুজনাক, মন্ত্ৰীক দিছে। তেতিয়া খাম্বাই থাংজিং দেৱতাত ফুল লগোৱা মাইবী হালবীৰ পৰামৰ্শ লৈ ৰজা, ৰাণী, যুৱৰাজ, যুৱৰাজপত্নীসকল, মন্ত্ৰী, মন্ত্ৰিয়নী সকলোকে ফুল দিলে। ৰজা, ৰাণী আৰু আন আন সকলেও খাম্বাৰ ফুল আদৰ কৰি লৈ তেওঁক কোংয়েম্বাতকৈ বেছি মূল্যৱান বটা দিলে।

ইয়াৰ পিছত থাংজিং দেৱতাৰ আগত নৃত্য কৰা উৎসৱ আৰম্ভ হল। যেয়ে-যেয়ে নাচিব জানিছিল সেই সকলোবিলাকেই মতা-মাইকী যোৰে-যোৰে নৃত্য কৰিলে। কোংয়েম্বায়ো তেওঁৰ দুয়োজনী পত্নীৰে সৈতে লগ লাগি নাচিলে। কিন্তু সৰ্ব্বশেহত ৰজা, যুৱৰাজ আৰু ৰাণী এই সকলোৰে চৰণত পৰি সেৱা কৰি কৰি অনুমতি লৈ খাম্বা-থোইবীয়ে এফালে, খুম্নু ফেৰৈজম্বাই আন ফালে ঢোলৰ চেৱে চেৱে, বাঁহীৰ লয়ে-লয়ে, এছৰাজৰ সুৰে সুৰে অতি সুন্দৰ নৃত্য কৰিলে। তেওঁলোকৰ নৃত্যত গোটেইবিলাকেই মোহিত হল। সকলোৱে কোৱাকুই কৰিলে যে এনেকুৱা অপূৰ্ব্ব নাচ সিবিলাকে আগেয়ে দেখাই নাছিল। থোইবীক ৰাণীয়ে, মাকে আৰু আন আন ডাঙৰীয়ানীসকলেও ভাল ভাল বটা দিলে। সেই দৰে খাম্বাকো ৰজা-যুৱৰাজ, পাত্ৰমন্ত্ৰী সকলোৱেই বটা দিলে।

থাংজিং দেৱতাৰ বছৰেকীয়া উৎসৱ উপলক্ষে পিছদিনা দৌৰৰ খেল হল। কোন কোন মানুহে দৌৰিব ইয়াৰ এটা তালিকা কোংয়েম্বাই কৰিছিল। সেই তালিকাত খাম্বাৰ নাম নাছিল। খাম্বাই তেওঁৰ নাম কিয় নাই, এই কথা সোধাত কোংয়েম্বাই কলে যে পূৰ্ব্বাপৰ নিয়মমতে দুখীয়া মানুহে এই দৌৰৰ খেলত সোমাব নোৱাৰে। দুখীয়াই ইবিলাকৰ লগত দৌৰিলে দেশৰ অমঙ্গল হয়। সেইদেখি খাম্বাৰ নিচিনা ভিকহু এটাই

দৌৰিবলৈ সাহ কৰাটোৱেই তাৰ পক্ষে বাওনা হৈ চন্দ্ৰটোক ধৰাৰ দৰে হৈছে। কোংয়েম্বাৰ এই বাক্যবাণত খাম্বা মৰ্ম্মাহত হৈ ঘৰলৈ গৈ খুম্নুক এই কথা কলত খুম্নুৱে খাম্বাক লগত লৈ তেওঁৰ লোংথোম্বা নামৰ শহুৰেকৰ আগত গোচৰ দিলে গৈ। লোংথোম্বাই সিফালে খেল আৰম্ভ হব ধৰিছ মাথোন এনেতে খাম্বাক লগত লৈ গৈ ৰজাক কথাটো জনালে। ৰজাই আদেশ দিলে যে যদি এতিয়াও সময় আছে তেন্তে খাম্বাও দৌৰ খেলত যাব পাৰে। ৰজাৰ আদেশ পাই খাম্বা আৰু ফেৰৈজম্বা উভয়ে লৰালৰিকৈ গৈ দৌৰৰ খুটিত উপস্থিত হৈ চিঞৰি চিঞৰি কলে যে তেওঁবিলাকেও দৌৰত যাবলৈ ৰজাৰ অনুমতি পাইছে; এতেকে দৌৰাসকল অলপ পৰ ৰওক। কূটবুধীয়া কোংয়েম্বাই খাম্বাৰ কথালৈ কেৰাহিকে নকৰি দৌৰ আৰম্ভ কৰি দি আগবাঢ়ি গল। তেতিয়া খাম্বাই ঈশ্বৰক ধিয়াই কোংয়েম্বাৰ পাছত থাকিও আৰু কোংয়েম্বাৰ গাৱঁৰ ১৫ জন অশ্বাৰোহীয়ে খাম্বাক আগচি আগচি ধৰা স্বত্বেও দৌৰত সকলোতকৈ আগ হলগৈ। খুম্নুৱে দৰ্শকবৃন্দৰ মাজৰপৰা খাম্বাক চিঞৰি চিঞৰি উছাহ দিলে। খাম্বাই সকলোতকৈ দৌৰত আগ হৈ আহি ৰজাক দণ্ডৱৎ কৰিলে আৰু জেওৰাৰ ৭ হাত ওপৰেদি জাপ মাৰি পাৰ হৈ গৈ মাটিৰ সিংহটোৰ কাণ এখান ভাঙ্গিলে। খাম্বাৰ পিছত কোংয়েম্বাই আহি ৰজাক সেৱা কৰিলে কিন্তু দৌৰৰ সৰ্ব্বপ্ৰথম বটা খাম্বাইহে ৰজা ৰাণী বিষয়া ইত্যাদি সকলোৰেপৰা পালে। এইবিলাক দেখি কোংয়েম্বাৰ আমঠু ক'লা পৰিল। খাম্বালৈ তেওঁৰ হিংসাৰ কোব আৰু চৰিল। তেওঁ মনে মনে প্ৰতিজ্ঞা কৰিলে যে তেওঁ যেনেতেনে প্ৰকাৰে খাম্বাক এসেকা দিব। একো কৰিব নোৱাৰিলেও খাম্বাৰ জীৱনটোকে অসহনীয় কৰি তুলিব।

কূটিলৰ কূটিলতা পূৰ্ণ হবলৈ সৰহ সময় নালাগিল। এদিন খুমান্ প্ৰদেশৰ তিৰোতা তিনিজনীয়ে মৈৰাঙ নৈত মাছ মাৰিবলৈ আহিছিল। কোংয়েম্বাই তাইহঁতক লগ পাই সুধিলে তাইহঁতেনো তাহাঁতৰ প্ৰদেশৰ ওচৰৰ ইকপ আৰু ওৱাইখাই নৈত মাছ নামাৰি মৈৰাং নৈলৈ কেলেই আহিছিল। তাইহঁতে কলে যে সেই দুখান নৈৰ কাষৰ ইকৰানি হাবিৰ মাজত এটা বৰ ডাঙৰ বনৰীয়া ষাঁড় গৰু আছে। সি মানুহ দেখিলেই শিঙেৰে খুচিবলৈ খেদি আহে; আন কি এটা মানুহ মাৰিছেই। সেইদেখি তাৰ ভয়ত তাত কেৱে মাছ নামাৰে। কোংয়েম্বাই এই কথা শুনি এইটোকে সুবিধা যেন দেখি ৰজাত গৈ জনালে যে খুমান্ প্ৰদেশৰ নৈৰ দাঁতিত চৰি ফুৰা দুৰ্দ্দান্ত ষাঁড়টোক যুদ্ধত ঘটুৱাই দমন কৰিবলৈ হেনো খাম্বাই গাত লৈছে। কোংয়েম্বাৰ এই কথা শুনি মৈৰাঙৰ ৰজাই খাম্বাক মতাই আনি কথাটো সোধাত খাম্বাই কলে—"স্বৰ্গদেৱ ঈশ্বৰ! মই ষাড়টো মাৰি দিম এই কথা মই কোংয়েম্বাক কেতিয়াও কোৱা নাই। কোংয়েম্বাই মিছা কথা লগাইছে।" খাম্বাৰ এই কথাত কোংয়েম্বাই ততালিকে কলে—"কৈছিলি তই ষাঁড়টো মাৰিম বুলি। এতিয়া ভয় পাই তই মিছা মাতিছ। মিছলীয়া বন্দী কটা হেৰ!"

কোংয়েম্বাৰ এই কথা বৰকৈ অসহনীয় হোৱাত খাম্বাই ৰজাৰ আগতে কোংয়েম্বাক বগৰাই লৈ গেমেহা-গেমেহি কিল গোটাচেৰেক দি ৰজাই জগৰ ধৰাত আঠু লৈ ৰজাক জনালে যে যদিও তেওঁ কেতিয়াও ষাঁড়টো দমন কৰিম বুলি কোংয়েম্বাৰ আগত কোৱা নাছিল তথাপি যদি ৰজাৰ আদেশ হয় তেন্তে তেওঁ ষাঁড়টোৰ লগত যুঁজি ষাঁড়টোক এনেভাৱে দমন কৰিব যে আগলৈ খাম্বাৰ নাম শুনিলেই ষাঁড়টো আঁতৰলৈ পলাব। খাম্বাৰ এই কথাত ৰজা বৰ কৌতুকিত হৈ কলে, যদি খাম্বাই ষাঁড়টো সেইভাৱে দমন কৰিব পাৰে তেন্তে তেওঁ সইতে সইতে তিনি সইতে ধনে-বস্তুৱে, আৰু অলঙ্কাৰে তেওঁৰ ভাতিজাজীয়েক থোইবীক তেওঁলৈ বিয়া দি তেওঁক ৰাজ্যৰ প্ৰধান পাত্ৰ কৰিব। এই সত্যটো যে ৰজাই পালন কৰিব তাৰ চিন স্বৰূপে ৰজাই তেওঁৰ চৰাঘৰৰ বৰ খুঁটাটোৰ গাত কুঠাৰেৰে তিনটা ঘা মাৰি তিনটা দাগ থলে।—ক্ৰমশঃ

মোৰ সোৱঁৰণী

(৩য় বছৰৰ ৪ৰ্থ সংখ্যা 'আৱাহন'ত ওলোৱাৰ পাচৰপৰা)

—ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা

কলিকতীয়া কাল।—যাত্ৰাকালৰ উদ্দেশ্যলৈ ধিয়াই কবলৈ গলে, মোৰ কলিকতীয়া কাল মিছাই গল বুলিব লাগে। ছাত্ৰাধ্যা অন্ত পেলাই কলিকতা এৰিবৰ বেলা বাস্তৱতে সেই ভাবে মোৰ মনত দকৈ ঠাই লৈছিল, আৰু প্ৰাণক উচুপি উচুপি কন্দুৱাইছিল। তাৰ চিন্ "বিজুলী"ত প্ৰচাৰ কৰা মোৰ "মিছাই" শীৰ্ষক এটি কবিতা। স্বৰূপতে, লিখা-পঢ়া বিষয়ত মই সমূলি নাম কৰিব নোৱাৰিলোঁ। বোলে, "গল কণা, আহিল কণা, খাগৰি কাটিলে তিনি কণা"; মোৰ বিদ্যা-বেহাতো আটাইবোৰ কণা-কড়ি উঠিল! সেই কাৰণে, আন্তৰিক বেদনা আৰু অনুতাপৰ তাপত মূৰ ঘমাই মই বিষাদ মনেৰে ঘৰৰ লৰা ঘৰলৈ উলটিব লগীয়াত পৰিলোঁ। মোৰ অন্তৰত আটাইতকৈ টান বা উতলা অনুতাপৰ তাপ এইবাবে হে চৰিছিল যে, মই মোৰ পিতৃ-দেৱতাৰ বিশুদ্ধ আৰ্জ্জনৰ বিস্তৰ অৰ্থ অশুদ্ধকৈ ভাঙ্গি কলিকতাত গা-ঘেলালোঁগৈ মাথোন! তেখেতৰ বাঞ্ছিত ফল লাভলৈ মোৰ প্ৰতি যি অনুজ্ঞা আছিল, সেই লাভৰ অৰ্থে মোৰ সদৌশ্ৰম নিষ্ফল হল সেই কাৰণে, ভগ্নমনোৰথ হৈ পোনে-পোনে গৈ ঘাইঘৰত পিতৃ-দেৱতাৰ আগত ওলাবলৈ অতিশয় লাজ আৰু ধিক্কাৰ লগা হেতুকে, মই কলিকতাৰপৰা উলটি পোন্-প্ৰথমে মাহচেৰেকৰ কাৰণে মোৰ পুৰণি ৰঙ্গভূমি ৰংপুৰত (শিৱসাগৰ) থিত্ ললোঁগৈ। তাৰ পাচত, তাৰ আনুষঙ্গিক আখ্যানৰ বিষয়ে পাচত কোৱা যাব; সম্প্ৰতে আকৌ কলিকতীয়া কাললৈ এবাৰ সুমৰি চাওঁ।

পিচে, মোৰ কলিকতীয়া কাল সঁচাকৈয়ে 'মিছাই' গল নে? মোৰ বিবেকে সমিচাৰ দিয়েচোন 'মিছাই' নহয় বুলি;—বিবেকৰ সুমৰণত, সি বাজে বঁজা পৰিছিল বুলিও ভিতৰি ভৰ্ ফুলৱতী হৈছিল। পৃথিবীৰ আহি-ক্ষেত্ৰ কলিকতাত 'মিছাই' গা-ঘেলাই ফুৰা ওপৰচকুৱা, মানুহবো বহুদৰ্শিতাৰ ফল অলপ নহয় অলপ লাভ নোহোৱাকৈ নাথাকে। ময়ো সেই স্বাভাৱিক ফললাভৰ পৰা সমূলঞ্চে বঞ্চিত হোৱা নাছিলোঁ। আন নহলেও, স্বদেশহিতৈষিতা আৰু মাতৃভাষাৰ প্ৰতি অনুৰাগ এই দুটি স্বৰ্গীয় গুণৰ অলপ-অচৰপ মোৰ লাভ হৈছিল বুলি মনে ধৰে। এই দুটি স্বৰ্গস্পৰ্শী গুণৰ ভিতৰতো মাতৃভাষাৰ প্ৰতি অনুৰাগ আগ হৈছিল। ইতিপূৰ্ব্বতে উনুকিয়াই থৈ অহা হৈছে যে, শিক্ষাৰ সঁজুলীৰ গুণানুসাৰে সংস্কৃতীয়া বঙ্গলা সাহিত্যত মোৰ অলপ দকৈ অধিকাৰ বহিছিল; আনপাকে, তাৰ মানে এনেকৈ বুজিলেও তেনেই ভুল নহব যে, অসমীয়া সাহিত্যত তেতিয়ালৈকে মোৰ ডাঠ্কৈ বাপ্ বহা নাছিল। স্বীকাৰ কৰোঁ, পোনতে সাহিত্যিক চৰ্চ্চাৰ ফালে স্বাভাৱিক ধাউতি হওঁতে, মোৰ এই মূৰে বঙ্গলা ভাষাত ভাবিবলৈ আৰু এই হাতে বঙ্গলা ভাষাত লিখিবলৈ শিকিছিল। তাৰ চিন্স্বৰূপ আজিও 'মোৰ সোৱঁৰণী'ত দুটিমান স্বৰচিত বঙ্গলা কবিতাৰ চাব লাগি থকাৰ নিদৰ্শন ইয়াৰ আগেয়েই দি থোৱা থাকিব পায়। কলিকতাতে পোন্-প্ৰথমে মোৰ সেই সুৱদি বঙলুৱা ভাবনা আৰু লিখনীৰ আঁচে চেনেহী অসমীয়া ভাষাৰ মোহত মোক ঘৰমুৱাকৈ ঘোৰ খুৱায়। ফলিতাৰ্থত, মই বঙলুৱা ভাব আৰু কল্পনাৰে লোকৰ আগত লুকুৱাই অসমীয়া কবিতা এটি-দুটিকৈ ৰচিবলৈ ধৰিলোঁ, চল পালেই অসমীয়া ৰচনা লিখি সাঁচিবলৈ শিকিলোঁ। ইয়াৰ মূলসঞ্চৰিণী শক্তি হৈছিল "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা"। স্বৰূপতে, আমাৰ পূৰ্ব্ববৰ্ত্তী কলিকতাপ্ৰবাসী অসমীয়া ছাত্ৰসকলে এই "অ, ভা, উ, সা," সভাখন প্ৰতিষ্ঠা কৰি, জঁয় পৰিবলৈ [illegible] অসমীয়া সাহিত্যক পুনঃ ঠন্ধৰি

উঠিবলৈ সঞ্জীৱনী শক্তি দান কৰে। এই সভাত মই অতি আগ্ৰহেৰে মোৰ কলিকতীয়া কালৰ পোন্-প্ৰথম বছৰতে যোগ দিলোঁ। মোৰ সেই কালৰ ভিতৰত এই সভাৰ এনেকুৱা এটা বৈঠক পাৰ হবলৈ নাপালে য'ত মই 'গড়হাজিৰ' আছিলোঁ বা উপস্থিত নাছিলোঁ। আৰু, সততে ঠিক সময়ত সভাৰ বৈঠকত উপস্থিত হোৱাৰ বাবে মই 'টাইম্‌পিচ্' খিতাপ পাইছিলোঁ; স্বৰূপতে, মোক সভালৈ যোৱা দেখিলেই বৈঠকৰ ঠিক সময় চাপিলহি ভাবি লগৰীয়া সমজুৱাসকলে খৰপোচ কৰা হৈছিল। এই অ, ভা, উ, সা, সভাৰ এটা বছেৰেকীয়া বৈঠক বৰ সমাৰোহেৰে বহিছিল তাত ৺মাণিকচন্দ্ৰ বৰুৱা ডাঙ্গৰীয়া সভাপতি বহিছিল, আৰু কাৰ্য্যালোচনাৰ মাজভাগত গৈ ৺ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰেও যোগ দিছিল। সেই বৈঠকত মোৰ অসমীয়া সাহিত্যিক বন্ধু ৺হেমচন্দ্ৰ গোস্বামীদেৱে "অসমীয়া ভাষা" শীৰ্ষক এখন বৰ সাৰুৱা আৰু সুদীৰ্ঘ ৰচনা পাঠ কৰিছিল। পাচত, সেই ৰচনা ছোৱা-ছোৱাকৈ "জোনাকী" আলোচনী কাকতত (৩য় ভাগত) প্ৰচাৰিত হৈছিল। সেই দিনা সেই ৰচনাই মোৰ মনত আহোমৰ পূৰ্ব্বগৌৰৱ, অসমীয়া জাতীয় ভাব, আহোম ভাষাৰ পুনৰুদ্ধাৰ, অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি, অসমৰ পুৰণি তথ্য-সংগ্ৰহ ইত্যাদি বিষয়ক চিন্তালোচনা দকৈ বহুৱায়। আৰু, অনতিপলমে আপোনমনেৰে মই সেই সাধনাৰ সংকল্প অন্তৰস্থ কৰি আনে নজনাকৈ তাৰ তপস্যাত ধৰিলোঁ। সেই ছেগতে "জোনাকী" আৰু "বিজুলী" নামে মাহেকীয়া অসমীয়া আলোচনী কাকত দুখনে মোক মোৰ সেই তপস্যা মলিৱাবলৈ বিস্তৃত থল আৰু বিস্তৰ বল দান কৰিছিল।

"জোনাকী"-"বিজুলী"।—"জোনাকী"ৰেসৈতে মই স্কুলীয়া কালৰেপৰা চিনাকী। শিৱসাগৰত হাইস্কুলত পঢ়োতে "জোনাকী" মই বৰ ৰাপ লগাই পঢ়িছিলোঁ। তাত প্ৰকাশ হোৱা ৺হেমচন্দ্ৰ গোস্বামীৰ কবিতা, ৺লম্বোদৰ বৰাৰ ভাবৰ হেন্দোলনী লগোৱা প্ৰবন্ধ, শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাৰ ফুচুৰি প্ৰবন্ধ "কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা", শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্যৰ ওজস্বিনী জাতীয় গীত, ৺ৰত্নেশ্বৰ মহন্তৰ প্ৰত্নতাত্ত্বিক প্ৰবন্ধাৱলী পঢ়ি মই বৰ তৃপ্তি পাইছিলোঁ। কলিকতালৈ গৈ, তাত সেই আলোচনীখন চলোৱাৰ ব্যৱস্থা দেখি, আৰু তাৰ উন্নতিকল্পে কলিকতাপ্ৰবাসী অসমীয়া ছাত্ৰ সমষ্টিৰ সমূহ পুৰুষাৰ্থলৈ মন কৰি, মই বিমোহিত হলোঁ; ক্ষন্তেকমানো নিশ্চেষ্ট হৈ ৰব নোৱাৰি মই অনতিপলমে মোৰ ক্ষুদ্ৰ আৰু অনাভুৱা চিন্তালোচনাত তাৰ লগতে অযাচিতে যোগ দিলোঁ, অৱশ্যে আনে বৰকৈ গম্ নোপোৱাকৈ। স্বৰূপকৈ, অসমীয়া সাহিত্য-চৰ্চ্চালৈ মোৰ মন টনাৰ আকৰ্ষণী শক্তি এই "জোনাকী"হে। তাৰ পাচত, মোৰ কলিকতীয়া কালৰ মাহচেৰেক পাৰ হওঁতে-নহওঁতেই, মোৰ অন্তৰতম্ বন্ধু ৺কৃষ্ণপ্ৰসাদ দুৱৰাৰ উদ্যমত, অসমীয়া ছাত্ৰাবাস ১৪নং প্ৰতাপচন্দ্ৰ চাটুৰ্জ্জি লেনৰপৰা "বিজুলী" নামে আৰু এখন অসমীয়া আলোচনী মাহে-মাহে ওলাবলৈ ধৰে। সেই বাবে মোৰ মনত নথৈ আনন্দ হল, আৰু ততালিকে মই সেই কাকতক সৰ্ব্বতোভাৱে সহায় কৰিবলৈ বুলি লগৰীয়া বন্ধু দুৱৰাৰ ওচৰত প্ৰতিশ্ৰুত হলোঁ। সেই প্ৰসঙ্গতে মই আৰু মোৰ অনুজপ্ৰতিম আদৰুৱা বন্ধু শ্ৰীযুত বেণুধৰ ৰাজখোৱাদেৱে ৬৭নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ 'মেচ'ৰপৰা ১৪নং প্ৰতাপচন্দ্ৰ চাটুৰ্জ্জিৰ লেনত পতা অসমীয়া 'মেচ'লৈ আমাৰ থকাঠাই সলনি কৰিলোঁহঁক। এই 'মেচ' নামত হে প্ৰতাপচন্দ্ৰ চাতুৰ্জ্জিৰ লেনত পৰে, কিন্তু প্ৰকৃততে ই কলেজ ষ্ট্ৰীটৰ কাষত হে থিয়। কলেজষ্ট্ৰীটৰ উত্তৰপাৰত মেডিকেল কলেজৰ প্ৰকাণ্ড পকীঘৰ, দক্ষিণপাৰে আমি বাস কৰা এই সৰু দুমহলীয়া ঘৰটি। তাৰপৰা দুকুৰি নলমানৰ পূবে, ওচৰতে, ষ্ট্ৰীটৰ উত্তৰপাৰে প্ৰেচিডেন্সি কলেজ আৰু দক্ষিণে হিন্দু বা সংস্কৃতকলেজ। এইখিনিতে প্ৰতাপচন্দ্ৰ চাতুৰ্জ্জি লেনৰ চিনাকি দি থোৱাও লাগতিয়াল বোধ কৰোঁ। ৺প্ৰতাপচন্দ্ৰ চট্টোপাধ্যায় স্বনামপ্ৰসিদ্ধ বঙ্গীয় সাহিত্য সম্ৰাট ৺বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ ৺পিতৃ। সেই সুযোগ্য পুৰুষৰ ঘৰলৈকে সেই ছোৱা পকীবাটৰ নাম তেওঁৰ নামেই নামাকৰণ কৰা হৈছে; সেই ঘৰ চেৰাই আৰু সেই লেন বাঢ়ি যোৱাগৈ নাই, সিমানতে সি সীমাবদ্ধা। সেই

ছেগতে মোলৈকো এটি সোণাময় সুযোগ মিলিছিল, প্ৰত্যহ সেই প্ৰতিভাশালী সাহিত্যিক ৺বঙ্কিম বাবুৰ দৰ্শন লাভলৈ। তেওঁ তেতিয়া ডেপুটী মাজিষ্ট্ৰেট। দিনৌ ঠিক ১০॥ বজাত তেওঁৰ আদালতলৈ যাবলৈ বুলি আমাৰ মেচৰ বাৰাণ্ডাৰ তলত কলেজষ্ট্ৰীটৰ দক্ষিণ দাঁতিত থিয় দি তেওঁৰ ঘোঁৰা-গাড়ী অহালৈ বাট চায়হি; মই ওপৰৰপৰা অলক্ষিত হৈ সেই প্ৰতিভাৰ জীৱন্ত ৰূপ প্ৰাণভৰি চাওঁ। তেওঁৰ মনৰ গতি ইমান চোকা যে, সেই ক্ষন্তেককে তেওঁ স্থিৰেৰে নিয়াব নোৱাৰে, গাড়ী আহি পায়মানে সেই ফুট্‌পাথৰ ওপৰতে তহলি তজবজাই থাকে; মন কিন্তু তেতিয়া গাৰ লগত লগাকৈ নাথাকে, কিবা ভাবত কৰবাত ভ্ৰমি ফুৰে। সি যি হওক, এই "বিজুলী" কাকতেই মোক অসমীয়া ভাষাত লিখিবলৈ বাট লগাই দিয়ে। সেই প্ৰসঙ্গতে মোৰ পোন্-প্ৰথম উদ্যম হল, এখন সামাজিক ঘৰুৱা উপন্যাস লিখা, কিয়নো তেতিয়ালৈকে (ইং ১৮৯০ চন) অসমীয়া ভাষাত উপন্যাস বুলিবলৈ এখনো নাছিল। মোৰ "ভানুমতী" সেই উদ্যমৰে ফল। এই উপন্যাস-প্ৰবন্ধই ছোৱা-ছোৱা হৈ "বিজুলী"-পোহৰত ওলাবলৈ ধৰিলে; তাৰ লগতে মাজে-সময়ে এটি-দুটিকৈ মোৰ গুটিদিয়েক কোমল কবিতায়ো সেই পোহৰ পাইছিল। সেই সময়ত ৺"বঙ্কিম বাবু"ৰ উপন্যাস আৰু "ৰবিবাবু"ৰ কবিতা পঢ়াত মোৰ মনত বৰকৈ ৰাপ বহিছিল, আৰু পাচলৈ সি মোৰ মূৰত এটা ৰাগি হৈ উঠিছিল। আৰু, প্ৰবীণ ঔপন্যাসিক বঙ্কিম বাবুক নিতৌ অযাচিতে দৰ্শন পোৱাৰ দৰে, সেই কালৰ নবীন কবি ৰবি বাবুকো মাজে-সময়ে দেখা পাবলৈ মই ছেগ চাই ফুৰোঁ; যি সভা-সমিতি, সমাজ-মজলিচত ৰবিবাবুৰ উপস্থিতিৰ আগন্তুকৰ সম্ভেদ্ পাওঁ, সেই সভা, মজলিচ আদিত মই, সদৌবন কাতিকৈ থৈ, আগধৰি উপস্থিত হওঁগৈ। এইখিনিতে কৈ থবলগীয়া যে, মহাপুৰুষ ৺ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ দৰ্শন লাভো মোৰ এটা ছেগ বুজি ধৰা কাম আছিল। সেই ছেগ কেতিয়াবা কোনো দিনা অকস্মাতে হে পাওঁ। যেতিয়াই পাওঁ, তেতিয়াই মই অলক্ষিতভাৱে সেই দ্বিবস্ত্ৰ বিৰাট পুৰুষজনৰ পিচ লাগোঁ। কলিকতাৰ 'ফুটপাথ' বা মানুহ অহা-যোৱাৰ পকীবাটেদি চটপ্-চটপ্ তালতালি বা 'বিদ্যাসাগৰ চ'তিজোতা'ৰ শ্ৰুতিকৰ তাল দি তেখেত কালৈকো কটাহি নকৰি আপোন-মনেৰে গৈ থাকে, ময়ো পিচে-পিচে, যিমানলৈকে পাওঁ, নীৰৱে গৈ থাকোঁ। এয়ে মোৰ অতৃপ্ত বিদ্যাসাগৰ দৰ্শন। সি যি হওক, আচল কথাত ধৰোঁ। এই "বিজুলী"য়েই মোৰ আন্তৰিক সাহিত্যিক অনুৰাগ ক্ৰমাৎ উজ্জলাবলৈ ধৰিলে, ময়ো দুগুণ উলাহেৰে তাক কাৰ্য্যত ফলিৱাবলৈ যত্নপৰ হলোঁ। "বিজুলী"ক সাহিত্যিক সমল চপাই আনি দি সহায় কৰাৰ উপৰি, তাৰ আৰ্থিক বল বঢ়াবলৈকো মোৰ যত্নৰ ত্ৰুটী হোৱা নাছিল। সেই অৰ্থে, মই ফুৰা-চকা আজৰিৰ ক্ষণত ছেগ ধৰি কলিকতীয়া সৰু-বৰ কোম্পানী আৰু দোকানী-কাৰবাৰী আদিৰপৰা বিজ্ঞাপন গোটাই আনি দি পাৰ্য্যমানে সহায় কৰিছিলোঁ, তদৰ্থে মোৰ হাতত বা জেপত এখন "বিজুলী" থাকেই। এই কাৰ্য্যত মোক চাহাবী পোছাকে তেতিয়াৰ কালত বিশেষ গুণ দিছিল। সেই প্ৰসঙ্গত মাজে-মাজে, ৺হৰিবিলাস আগৰৱালা ডাঙ্গৰীয়াই মোৰ কলিকতা যাত্ৰাৰ কালত জাহাজত পোন্-প্ৰথম সাক্ষাৎ দিওঁতে দিয়া তেখেতৰ ব্যৱসায়ী জ্ঞানমূলক মন্তব্য মই সুমৰি চাইছিলোঁ।

"বিজুলী"ৰ প্ৰথম বছৰটো পূৰ কৰি উঠি, দ্বিতীয় বছৰৰ প্ৰথম দুই সংখ্যা উলিওৱা হৈছে মাথোন, এনেতে ৺দুৱৰা কলিকতাৰপৰা ঘৰলৈ একেবাৰে গুচি আহিব লগীয়া হল। গতিকে, "বিজুলী" চলোৱাৰ সৰ্ব্বভাৰ মোৰ মূৰত পৰিল। ভাবি চালোঁ, কাকতখনৰ সেই বছৰটো আধৰুৱাকৈ এৰাটো বাঞ্ছনীয় নহয়, কিয়নো সেই দৰে এৰিলে মোৰ সেই প্ৰিয়তম বন্ধুৰ নামত অখ্যাতি আহিব আৰু তাৰ কিঞ্চিৎমান অপযশে মোকো নোপোৱাকৈ নাথাকিব। এই ভাবি, "বিজুলী" চলোৱাৰ ভাৰ কান পাতি ললোঁ, আৰু ভালেমান অভাব-অভিযোগ পাৰ হৈ অতি দুখে-কষ্টে সেই আধৰুৱা দ্বিতীয় বছৰটো পূৰাকৈ সমাপ্ত কৰি উঠি সকাহ এফেৰি পালোঁ। তাৰ পাচত, উঠিল তৃতীয় বছৰৰ প্ৰশ্ন; কিয়নো মই ওকালতি পৰীক্ষা দিয়াৰ উদ্দেশ্যে কলিকতাত মোৰ তৃতীয়

বছৰটোও কটাব লগীয়া হৈছিল। কিন্তু, মোৰ এনে সামৰ্থ্য নাছিল যে, "বিজুলী"ৰ নিচিনা এখন আলোচনী কাকত চলোৱাৰ সম্পূৰ্ণ ভাৰ অকলশৰীয়াকৈ আৰু এটা দীঘলীয়া বছৰ ববলৈ আগ বাঢ়িব পাৰোঁ। পিচে, কৰোঁ কি এতিয়া?—আগপিচ গুণি বিমোৰ হলোঁ। এই দোধোৰমোৰ অৱস্থাত অনাগুণাকৈ মাজতে এমাহমান কটালোঁ, তথাপি কোনো এটা সিদ্ধান্তত উপস্থিত হবগৈ নোৱাৰিলোঁ। গৈ-মাৰি-শেহান্তৰত এই সমস্যা লৈ মই আমাৰ বয়োজ্ঞানবৃদ্ধ পৰম শ্ৰদ্ধাস্পদ অসমীয়া সাহিত্যিক ৺ গুণাভিৰাম বৰুৱা ৰায়বাহাদুৰ ডাঙৰীয়াৰ কাষ চাপিলোঁগৈ; তেখেত তেতিয়া সপৰিয়ালে আমাৰ 'মেচ'ৰ গাতে লগা ৬৬নং মিৰ্জ্জাপুৰ ষ্ট্ৰীটৰ ঘৰটোতে বহা কৰি আছিল। মোৰপৰা আদ্যোপান্ত শুনি শুনি তেখেতে এটি দীঘল হুমুনিয়াহ পেলালে। হুমুনিয়াহৰ আঁতি-গুৰি ক'ত, মই ভাবি চাবলৈ নৌ-পাওঁতেই বৰ হেঁপেহুৱা সহানুভূতিৰেসৈতে তেখেতে মোক এই বুলি সুধিলে, "পিচে, লাগে কি এতিয়া? মোৰপৰা কি উপকাৰ হব পাৰে?" মই আশ্বাসপূৰ্ণ হৈ এই উত্তৰ দিলোঁ যে, মই সেই কাৰ্য্যলৈ অকলশৰীয়া; গতিকে পালে, আৰ্থিক আৰু সাহিত্যিক দুয়োবিধৰ উপকাৰ বিচাৰোঁ, নাপালে অন্ততঃ পাচৰটি হলেও এবেগলৈ সাহ কৰিব পাৰোঁ। তেখেতে মোৰ মুখলৈ চেনেহভৰা চকুৰে চাই এটি উদগণিৰ হাঁহি মাৰি এই বুলি সমিধান দিলে, "বাৰু, মই দ্বিতীয় বিধ সহায় যি পাৰোঁ দিবলৈ প্ৰতিশ্ৰুত হলোঁ।" সিমানতে তুষ্ট হৈ মই গুচি আহিলোঁ। আৰু সেই দিনাই "বিজুলী"ৰ তৃতীয় বছৰৰ কাৰ্য্য হাতত ললোঁহি; কাৰণ, সেই সাময়িক সাহিত্যিক চৰ্চ্চাৰ ধাউতি মোৰ অন্তৰত এক্ষন্তেকলৈকো এৰিব নোৱাৰা ৰাগি হৈ বহিছিল, বিশেষকৈ হাতেগঢ়া "বিজুলী"ক হাততে হেৰুৱাবলৈ বৰ টান পালোঁ। ফলিতাৰ্থত, মৰসাহ দি আৰু এটা বছৰলৈ সেই গুৰুতৰ কাৰ্য্যৰ ভাৰ ববলৈ মই একনীয়াকৈ কান পাতি ললোঁ।

সৰুৰেপৰা মোৰ এটা উন্মাদী দস্তুৰ আছিল যে, এবাৰ সংকল্প কৰি আগত লোৱা কাৰ্য্য সাধিবৰ বেলিকা মই আপদ-আহুকাল একো নগণিছিলোঁ। গতিকে মোৰ সেই সাময়িক কৰ্ত্তব্যাৱলীৰ মাজত "বিজুলী" চলোৱা কৰ্ত্তব্য সৰাতোকৈ আগ কৰি, একনিষ্ঠভাৱে মৰোঁজীওঁকৈ আগ বাঢ়িবলৈ ধৰিলোঁ। তৃতীয় বছৰীয়া "বিজুলী"ক পোহপাল দিওঁতে মই আৰ্থিক আৰু সাহিত্যিক দুয়োবিধ লাগতিয়াল সমলৰ নাটনিত বিষমকৈ আহুকাল সহিব লগাত পৰিছিলোঁ। সাহিত্যিক সমল দানত সেই সাময়িক কলিকতাপ্ৰৱাসী ৺গুণাভিৰাম বৰুৱা ৰায়বাহাদুৰ ডাঙৰীয়াৰপৰা মই আশাতীত সহানুভূতি উপভোগ কৰিছিলোঁ; মই আজিলৈকে সেই বাবে তেখেতৰ গুণ লৈ আছোঁ। কিন্তু, এইখিনিতে এটা আওপকীয়া প্ৰমাদত পৰিছিলোঁ যে, মই তেখেতৰ স্কুলৰ ছাত্ৰ নহয় কাৰণে, অসমীয়া সাহিত্যৰ গঢ় লগোৱা কাৰ্য্যত দুইৰো মাজত মতভেদ ঘটিছিল। কথাটো আৰু অলপ মুকলিকৈ কোৱা যাওক। সেই কালত আমাৰ আধুনিক অসমীয়া সাহিত্যৰ আৰ্জ্জা বা আদৰ্শ পথাৰৰ মাজৰ জোপাৰ দৰে আছিল; যেয়ে যিফালৰেপৰা পোনায়, তালৈকে সেইফালেই পোন্ হয়। সেই উমৈহতীয়া আৰ্জ্জাগটৰ এটা সদৌসাহিত্যিকৰ অনুমোদিত ধাৰা অনতিপলমে ধৰিবৰ উদ্দেশে আমি সেইকালৰ অনুবৰ্ত্তী লেখকবিলাকে নিজ নিজ ৰুচি অনুসৰি সেই সাময়িক দুটা স্কুলত নাম লগাই লৈছিলোঁহঁক,—যিসকলে এতিয়া নাই লোৱা বুলি কব খোজে, সিবিলাকেও তেতিয়া কাৰ্য্যতঃ নাম লগাই চলিছিল। সেই স্কুল দুটা আছিল,—এটা "হেমচন্দ্ৰ স্কুল" আৰু আন এটা "গুণাভিৰাম স্কুল"। অসমীয়া সেই প্ৰবীণ সাহিত্যিক দুগৰাকীক আমি আগত লৈ তেতিয়া সাহিত্য ক্ষেত্ৰত নামিছিলোঁহঁক। সিবিলাকৰ মাজত কোনো পিঠিয়াপিঠি মতভেদ নাছিল, মাথোন এজন নিৰিহনিপানী অসমীয়া লেখক, আনজন সংস্কৃতীয়া লেখক; এজন উকা-গদ্য লেখক, আনজন পদ্য-গদ্য লেখক; এজনে 'হৈছে' লিখে, আনজনে 'হইছে' লিখে; ইত্যাদি। মই আছিলোঁ গদ্য লিখোঁতে হেমচন্দ্ৰ স্কুলৰ আৰু পদ্য ৰচোঁতে গুণাভিৰাম স্কুলৰ। পিচে, সেই ক্ষণত ঠেকত পৰি

মই গদ্য লিখোঁতেও ইটো স্কুলৰ আৰ্জ্জালৈ চকু দি চলিব লগীয়াত পৰিছিলোঁ; ফলিতাৰ্থত মই দুইৰো সামঞ্জস্য ঘটাই সাৱধানে আগ বাঢ়িবলৈ বাধ্য হৈছিলোঁ। সেই অনুক্ৰমে চলিবলৈ অভ্যাস কৰাৰ ফলত মোৰ লিখা-প্ৰণালীত দুয়োবিধৰ সমাবেশ ক্ৰমাৎ অযাচিতে ঘটিবলৈ ধৰিলে। আৰ্থিক বিধত কিন্তু কাৰোপৰা কোনোপাকে একেৰিমানো সহায় পোৱা নাছিলোঁ। কলে নপতিয়াব কিজানি, এই পাকত মোক "বিজুলী"য়ে নঙঠা বৰাগী কৰিছিল;—পিন্ধিবলৈ জোতা নাই, মেচৰ লগৰীয়া ছাত্ৰৰ আৰ-তাৰ ফটাচিটা যি পাওঁ এজোৰ পিন্ধি বাহিৰলৈ ওলাওঁ; তিয়াবলৈ তিয়নী নাই, আনৰ তিয়নী তিয়াই গা ধোওঁ; পোছাক বুলিবলৈ কোট-পেণ্ট-নাইট্‌ক্যাপৰ একেটা সাজ মাথোন; আবেলিৰ জলপানত 'মিঠাই' এৰি একপইচীয়া ফলাহাৰ আৰু এনেই পোৱা চাহটোপাৰ লগত আৰু এপইচাৰৰ 'গৰমাগৰম' কচুৰী তিনটা। ইত্যাদি বৰাগী-ব্যৱহাৰে বছৰটো কটাব লগীয়াত পৰিছিলোঁ। অৱশ্যে, সেই ব্ৰত ধৰোঁতে গাত যিমান দুখ পাইছিলোঁ মনত তাৰ চতুৰ্গুণ সুখ অনুভৱ কৰিছিলোঁ। এই দৰেই সেই এবছৰীয়া কঠোৰ ব্ৰতৰ সাধনা সিদ্ধি হলগৈ,—অকলশৰীয়া মই এহতীয়াকৈ "বিজুলী"ৰ তৃতীয় ভাগ সম্পূৰ্ণ কৰিলোঁ।

"লাহৰী"-"ভানুমতী"।—সঞ্চাৰৰ কালমতে আগ হব লাগিছিল "ভানুমতী"; পিচে, কাৰ্য্যত "লাহৰীয়ে" আগ বাঢ়ি বৈয়াকৰণ নিয়ম বাহাল ৰাখিলে, অৰ্থাৎ ব্যাকৰণৰ সূত্ৰ অনুসৰি তাকৰীয়া আখৰৰ নাম বা শব্দ যে আগত বহিব লাগে সেয়ে হল। কিয়নো "ভানুমতী" "বিজুলী"ৰ গৰ্ভত থাকোতেই, ইফালে আচম্বিতে "লাহৰী" পোহৰলৈ ওলাবলৈ এটি সোণাময় ছেগে আপোনা-আপুনি ধৰা দিলে। ঘটনাটো এই:—মোৰ কলিকতীয়া কালৰ তৃতীয় বছৰ। ৺শ্ৰীশ্ৰী দুৰ্গা-পূজাৰ সামৰণীৰ দিন। বিজয়া দশমী। সপ্তাহকালব্যাপী বাজে-ভিতৰে দুৰ্গা-পূজা উপলক্ষীয় বিবিধ ৰং-ধেমালি, 'পূজাবাড়ী'বোৰত শঙ্খ-ঘণ্টাৰ ৰোল, 'ৰাজবাড়ী'বিলাকত নাচ-গান, হাট-বজাৰ মুকলি চাপৰিত নাগৰদোলা ঘূৰণ ইত্যাদি গা-তোলা আনন্দৰ ঢৌ মাৰ যোৱাৰ পূৰ্ব্বক্ষণত সুপ্ৰশস্ত পকীবাটে-বাটে দেবীমূৰ্ত্তি ফুৰোৱাৰ শোভাযাত্ৰাত বিৰ-দি-বাট-নোপোৱা জনপ্ৰণীৰ দলদোপ-হেন্দোলদোপ ভিৰৰ আৰু গঙ্গাত গোসাঁনী বিসৰ্জ্জন দিয়া চাবলৈ চপা লাখ-লাখ লোকৰ তল-ওপৰ হেন্দোলনীৰ মন-নচুৱা উৎসৱৰ উলাহ মাৰ নিয়াই দৰ্শকবৃন্দ ঘৰাঘৰি হৈ ভিতৰ সোমালগৈ,—হৰেক শবদেৰে নিনাদিত সজাগ কলিকতা ক্ষন্তেকৰ অৰ্থে নিজম পৰিল। সন্ধিয়াৰ পাচত, আমাৰ ছাত্ৰ-বহাতো সেই একে চাব, একে ভাব। সেই গহীন ভাব ক্ৰমাৎ গহীনতৰ কৰি তুলিলে দেশাচাৰমতে ঘোঁটাপানৰ গহীন ৰাগিয়ে ৰাতি দুদাঁৰমান হওঁতে আমি আটাইটি প্ৰবসুৱা ছাত্ৰ আমাৰ ছাত্ৰ-বহাৰ (৬৭ নং মিৰ্জ্জাপুৰ ষ্ট্ৰীট্) উত্তৰ মূৰৰ বহল খোঁটালিত একেঠাই হৈ ঘৰুৱা মেল পাতি বহিলোঁ-হিহঁক। সেই মেলত বিবিধ বিষয়ক আলোচনা আৰু নানা তৰহৰ ফুচুৰি কথাৰ জোলোঙা মেলা আদি স্বপ্ৰদেশী কথা-বাৰ্ত্তা আৰু হাঁহি-ধেমালিৰ ৰগৰ ক্ৰমাৎ চৰিবলৈ ধৰিলে। ইতিক্ষণত, আমাৰ মাজৰ এজনে এই বুলি ঘপহ্‌কৰে এটা প্ৰশ্ন তুলিলে, "আমাৰ জাতীয় সাহিত্য আজিকোপতি কোন্ বিষয়ত সমূলঞ্চে তলি-উদং?—কোৱাঁ বাৰু"। প্ৰশ্নৰ পৰিণতিত অনতিপলমে উত্তৰ উঠিল,—"উপন্যাস বিষয়ত"। তাৰ পাচত, ততালিকে অন্যতম প্ৰশ্ন উঠিল, "সেই জাতীয় দুৰ্নাম গুচাওঁতা কোনো আমাৰ মাজত নোলাব নে?" এচুকৰপৰা এটি ক্ষীণ অথচ গহীন সুৰৰ সমিচাৰ আহিল, "নোলাব কিয়?—মানুহৰ অসাধ্য আছে কি?" তেতিক্ষণে লৰালৰিৰ বেগত এই সিদ্ধান্তত উপস্থিত হোৱাগৈ হল যে সেই পূজা-বন্ধৰ অন্তত কলেজ খোলাৰ আগতে (আগলৈ আৰু ২৩ দিন মাথোন আছিল) যদি উপস্থিত মণ্ডলীৰ, কোনো গৰাকীয়ে এখন অসমীয়া উপন্যাস লিখি দিব পাৰে, তেন্তে তেওঁৰ ৰচিত সেই উপন্যাস পুথি সেই মণ্ডলীয়ে চাঁদা তুলি সমজুৱা ধনেৰে প্ৰকাশ কৰিব। এনেতে, নতুনকৈ কলিকতাত প্ৰতিষ্ঠিত "ফুকন এণ্ড মজিন্দাৰ" নামে এজেঞ্চি কোম্পানীৰ মেনেজিং প্ৰপ্ৰাইটাৰ শ্ৰীযুত দুৰ্গানাথ শৰ্ম্মা ফুকনদেৱে অকলশৰীয়াকৈয়ে সেই খৰচ বহন কৰিবলৈ উলাহেৰে

আগ বাঢ়িলে। ফুকনদেৱৰ জাতীয় সাহিত্যৰ প্ৰতি জ্বলন্ত অনুৰাগৰ চিন্ ফুলি ওলোৱাত, উপস্থিত মণ্ডলীয়ে আনন্দত কিৰিলি মাৰি উঠি উলাহৰ চাপৰিৰেসৈতে তেওঁৰ প্ৰতি আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলে। তাৰ পাচত, আহিল ভাবী উপন্যাসখনৰ নামাকৰণৰ বিষয়। ক্ষন্তেকমান চিন্তালোচনাৰ ফলত এই স্থিৰ হল যে, উপস্থিত সামাজিক মণ্ডলীৰ প্ৰত্যেকে একোটা নাম প্ৰস্তাৱ কৰি, আৰি থোৱা ফলিত লিখাৰ দৰে, সেই খোঁটালিৰ পকী দেৱালত এঙাৰেৰে লিখি যোৱা হওক। সেইমতেই কাৰ্য্য কৰা হৈ উঠিল। দুৰ্ভাগ্যৰ দোষতেই নে সৌভাগ্যৰ গুণতেই, মোৰ প্ৰস্তাৱিত নামটোৱেই সমজুৱাৰ বাছনিত উঠিল, আৰু সেই অনুসৰি সংকল্পিত উপন্যাসখন লিখি দিয়াৰ বাব পৰিল মোৰ মূৰত। পিচদিনা পুৱা মই শুই নৌ উঠোঁতেই আমাৰ বহাৰ জনদিয়েক নিচেই কাষতে থকা 'সাম্য-প্ৰেছত' ('সঞ্জীৱনী'-ছপাখানা) পুথিখন ছপোৱাৰ বন্দবস্ত কৰিবলৈ গল; জনদিয়েকে সৰু-সৰুকৈ কেখনমান বাহি বান্ধি আনি ফৰ্ম্মা-ফৰ্ম্মাকৈ কিতাপখন লিখি দি থাকিবলৈ বুলি মোৰ হাতত দিলেহি; জনদিয়েকে আমাৰ বহাৰ মাজৰ সৰু খোঁটালিটোত নীৰলে নিজানে অকলশৰীয়াকৈ বহি উপন্যাসখন ৰচনা কৰিবলৈ মোক দিহা লগাই দিলে। ময়ো অগত্যা বান্ধত পৰি সেই পুথি ৰচনাত বহি গলোঁ। কিন্তু, সিফালে ছপা-বন্দবস্ত কৰিবলৈ যোৱা কেজন বোলে পোনতে হতাশ হব লগীয়াত পৰিছিল; কিয়নো ছপাখানাৰ গৰাকীয়ে সিবিলাকৰ মুখে আদ্যোপান্ত শুনি বিষয়টো এই বুলি উপ্‌লুঙাকৈ উৰাই দিলে,"বোলে, ৰাম নৌ ওপজোঁতে ৰামায়ণ ৰচনা!" যি হওক, শেহান্তৰত ছপাখানাৰ অধ্যক্ষজনে এই চুক্তিত কাৰ্য্য হাতত লবলৈ মান্তি হলগৈ যে, যদি আমি ঠিক সময়ত সিবিলাকে পাই থকাকৈ ফৰ্ম্মা-ফৰ্ম্মাকৈ হাতে-লিখা কিতাপৰ পাতৰ যোগান দি থাকিব পাৰোঁহঁক, তেন্তে সিবিলাকেও পূজা-বন্ধৰ বাকী ২৩ দিনৰ ভিতৰত কিতাপখন ছপাই উলিয়াই দিব; কিন্তু যদি হে আমি নিয়মমতে যোগান দিব নোৱাৰাৰ দোষত সিবিলাকে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ছপা-কাৰ্য্য সমাধা কৰি উঠিবগৈ নোৱাৰে কিম্বা চুক্তিভঙ্গ হৈ উঠেগৈ, তেন্তে বন্ধৰ ভিতৰত বিশেষ বন্দবস্তেৰে কাৰ্য্য কৰোৱাৰ ক্ষতিপূৰণ আমি ভৰিবগৈ লাগিব। "ফুকন এণ্ড মজিন্দাৰ" তাতো মান্তি হল। চুক্তিৰ কথা শুনি ইফালে চুৰ্ত্তি হেৰুৱাই মই সেই দায়িত্বৰ গধুৰ বোজাটো মূৰ পাতি লওঁতেই দোঁ-খাই পৰিলোঁ। যি হওক, মৰোঁজীওঁকৈ একাগ্ৰতীয়া মনোযোগেৰে কৰ্ত্তব্য সাধনত লাগি গলোঁ। পোনতে দিনে এটাকৈ, পাচলৈ দিনে দুটা-ডেৰটাকৈ ফৰ্ম্মা লিখি দি থাকোঁ, সিফালে সেই অনুক্ৰমে ছপা হৈ থৈ থাকে। মই ফৰ্ম্মাটো লিখি এঁতাবলৈ হে পাওঁ, এজনে আহি নিলেহিয়েই, মই ওলটাই এশাৰী পঢ়ি চাবলৈকো ছেগ নাপাওঁ। সেই অনুক্ৰমে ঠিক ২১ দিনৰ দিনা মোৰ উপন্যাস লিখা শেষ হল,— ২৩ দিনৰ দিনা আবেলি বেলিকা ৰঙাজিলেৰে বন্ধা "লাহৰী" এখন "ফুকন-মজিন্দাৰ" এজেঞ্চিৰ মেনেজিং প্ৰপ্ৰাইটাৰ ফুকনদেৱে হৰিষ চিতেৰে আনি মোৰ হাতত দিলেহি। পুথিখনি হাতত পৰা মাত্ৰকে মই চুমা এটি খাই বুকুত সাবটি ললোঁ। তাৰ পাচত, ভালেখিনি পৰলৈকে মই ক'ত আছিলোঁ, কি কৰিছিলোঁ কব নোৱাৰোঁ; কিয়, আৰু কি ভাবত আছিলোঁ তাকো ফুটাই কব নাজানো, মাথোন সেই মাহেন্দ্ৰক্ষণৰ কথা সুমৰিলে এই ক্ষুদ্ৰ প্ৰাণৰ এচমকা হিয়াত আনন্দে নধৰা হয়!—ক্ৰমশঃ

বৈজ্ঞানিক জগত

ৰাতিৰ বাবে নতুন সঙ্কেত



মিষ্টাৰ ই-ডি চাইক্‌ছে মোটৰগাৰীৰ বাবে এবিধ নতুন চাকি উলিয়াইছে। এই গাৰী ৰাতি চলাওঁতে ষ্টিয়াৰিং হুইল বা চালকৰ চকা ঘূৰোৱাৰ লগে লগে গাৰী কোন পিনে যাব, এই কথাটো সঙ্কেত আৰু আখৰেৰে লিখা হৈ আপোনা-আপুনি ওলায়।

ঘূৰাব পৰা গেৰেজ



মোটৰ গাৰী থৰৰ বাবে এবিধ নতুন গেৰেজ সজা হব লাগিছে। এই গেৰেজত গাৰী থৈ উলিয়াবৰ সময়ত পিছুৱাই আনিব নালাগে; গেৰেজটো ঘূৰাই দিলে মোটৰৰ মুখখন বাটৰ পিনে ঘূৰে, আৰু গাৰী আগুৱাই নিলেই ওলাই যাব পাৰি।

মৃত্যুৰশ্মি



জাৰ্ম্মান আবিষ্কাৰক কুৰ্ট শ্বিমকাছে এনে এটি ৰশ্মি আবিষ্কাৰ কৰিছে যে এই ৰশ্মিপূৰ্ণ যন্ত্ৰৰ চাবি ঘূৰাই দিলেই বহু মাইল দূৰত থকা জনপ্ৰাণী ধ্বংস হয়।

আপুনি জ্বলা চাকি



দেখাত ইলেকট্ৰিক চাকি যেন দেখা গলেও, ইয়াৰ বাবে কোনো বৈদ্যুতিক শক্তিৰ আৱশ্যক নহয়। আকাশৰ ৰশ্মিজালত এই চাকি আপোনা আপুনি জ্বলিউঠে।

অজগৰৰ বিষৰপৰা দৰৱ প্ৰস্তুত



শ্যাম দেশত বছৰি হাজাৰে হাজাৰে মানুহ অজগৰ সাপে খুটি মাৰে। এতিয়া ৰাসায়নিক সকলে 'চিৰাম' তৈয়াৰ কৰিবলৈ অজগৰৰ মুখৰপৰা বিষ উলিয়াই লবলৈ ধৰিছে। ইয়াৰ ফলত বিষাক্ত অজগৰৰ সংখ্যা কমি আহিব বুলি এই বৈজ্ঞানিকসকলক শ্যাম দেশৰ গৱৰ্ণমেণ্টে সাহায্য কৰিবলৈ ধৰিছে।



বৃটিছ ছাবমেৰিন "এল ১৫৬"

বৰ্ত্তমান যুগৰ যুদ্ধৰ প্ৰধান আহিলাৰ ভিতৰত ছাবমেৰিনো এবিধ। আৰু এনেকি এই ছাবমেৰিনকে এবিধ বৰ ভয়ঙ্কৰ আহিলা বুলি মনে কৰা হয়। ছাবমেৰিনেৰে শত্ৰুপক্ষ কেতিয়া যে পানীৰ তলেৰে গৈ কোন জাহাজ চুৰমাৰ কৰে তাৰ গম পোৱা বৰ টান। গতিকে ই বৰ সাঙ্ঘাতিক যুদ্ধৰ সৰঞ্জাম। এই ছবিটো বৃটিছ ছাবমেৰিন "এল ১৫৬"ৰ ইঞ্জিনৰ ভিতৰুৱা দৃশ্য। ইয়াৰ কলকব্জা ইমান বেছিয়ে ইয়াক এখন কলকব্জাৰে হাবি বুলি কোৱা যায়। যোৱা আঘোণ সংখ্যা আৱাহনত এই ইঞ্জিনৰ কলকব্জাৰ আন এটা দৃশ্য প্ৰকাশ কৰা হৈছে।

পাৰ্থ-সাৰথি

(৪ৰ্থ সংখ্যাৰ পাছৰপৰা)

নাট— —শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱা, বি-এ

২য় অঙ্ক

২য় দৃশ্য—ভিতৰ চৰা

দুৰ্য্যোধন। যুদ্ধৰ সময় উপস্থিত মাতৃ! আমি বিদায় লবলৈ আহিলোঁ।

গান্ধাৰী। (বেজাৰভাৱে হুমুনিয়াহ কাঢ়ি) আজি বহুত দিনৰ কথা মনত পৰিছে পুত্ৰ! তাহানি কুন্তী আৰু মই দুয়ো দেৱাদিদেৱ মহাদেৱক পূজা কৰিছিলো। তেতিয়া মই ৰাজমাতা মহাৰাণী। কুন্তী দীনাহীনা দুঃখকাতৰা। আমাৰ দুয়োৰো প্ৰতি মহাদেৱৰ আদেশ হ'ল—"কাইলৈ মোক যেয়ে অষ্টোত্তৰ শত পদ্মেৰে পূজা কৰিব তেওঁৰ পুত্ৰ সসাগৰা পৃথিবীৰ অধীশ্বৰ হ'ব।" মোৰ মনত অহঙ্কাৰ হ'ল; পৰমুখাপেক্ষী কুন্তীয়ে কি সাধ্যে আগধৰি পূজা কৰিব? কিন্তু ফল হ'ল বিপৰীত। পাছদিনা গৈ দেখোঁ মোতকৈ অনেক আগেয়ে কুন্তীয়ে পদ্ম ফুলেৰে পূজা কৰি গুচি গৈছে। পঞ্চসিংহ তুল্য মাউৰা পঞ্চশিশুৰ প্ৰতি দেৱাদিদেৱে চকু মেলি চালে।

দুৰ্য্যোধন। জননী! এইবোৰ পুৰণি কথা, ইয়াত নিৰ্ভৰ কৰিব লগীয়া একো নাই। মনৰ মাত্ৰ একোটা বিশ্বাস।

গান্ধাৰী। ই সঁচা বিশ্বাস দুৰ্য্যোধন! মই এতিয়াও হিত উপদেশ দিওঁ। তুমি যুদ্ধ এৰা। পঞ্চ পাণ্ডৱেৰে সৈতে প্ৰীতি কৰি শতভায়ে মোৰ বুকু জুৰাবাহি। ধৰ্ম্ম হ'ব—সুখ হ'ব—যশ হ'ব।

দুৰ্য্যোধন। অসম্ভৱ উপদেশ মাতৃ! অসম্ভৱ! কুৰুক্ষেত্ৰ যাত্ৰাৰ নিমিত্তে আমাৰ সৈন্য সমবেত হৈছে। কৌৰৱৰ ৰথ-ৰথী, গজ-বাজী, ছত্ৰচামৰ, পতাকাই এতিয়া গোটেই কুৰুক্ষেত্ৰৰ শোভা বৰ্দ্ধন কৰিব। সৈন্যৰ কোলাহলত আৰু সেনানায়ক সকলৰ শঙ্খধ্বনিত গোটেই পৃথিবী টলবল কৰিছে। কৌৰৱৰ ফলীয়া বীৰসকলৰ ধনুষ্টঙ্কাৰত পাণ্ডৱপক্ষ থৰে-থৰে কঁপিছে। মোৰ হকে প্ৰাণ দি পাণ্ডৱক বধ কৰিবলৈ মহাবীৰ কৰ্ণ, মাতুল শকুনি, মদ্ৰপতি শৈল্য, প্ৰাগজ্যোতিষৰ অধিপতি ভগদত্ত আদিয়ে ধনুত শৰ যোজনা কৰি থৈছে। সোৱা, মোৰ নিমিত্তে সকলো অপেক্ষা কৰি আছে। মাতৃয়ে এতিয়াও জনা নাই—আমাৰ ফলীয়া গুৰু দ্ৰোণ, পিতামহ ভীষ্ম, অশ্বত্থামা, কৃপাদি অজেয় বীৰ। কুৰুক্ষেত্ৰত অষ্টাদশ অক্ষৌহিনী সেনা সমবেত হ'ব। তাৰ ভিতৰত এঘাৰ অক্ষৌহিনীয়েই আমাৰ সৈন্য।

গান্ধাৰী। তোমাৰ সেনাসংখ্যা আৰু ৰথী-মহাৰথীৰ বীৰত্বৰ বিষয়ে মই জানো। কিন্তু মনত ৰাখিবা, নাৰায়ণ আজি পাৰ্থ-সাৰথি।

দুৰ্য্যোধন। যাদুবিদ্যাত, মুখৰ চালনাত, কুপৰামৰ্শত নাৰায়ণ প্ৰবল বুলি ময়ো জানো। কিন্তু যুদ্ধ শিক্ষাৰ উপযুক্ত কালত যি নাৰায়ণে নন্দৰ গৰু চৰাই পেট প্ৰবৰ্ত্তাইছিল সেই নাৰায়ণে পাণ্ডৱক একো সহায় কৰিব নোৱাৰে জননী! যুদ্ধবিদ্যাত অলপো পাৰদৰ্শী হোৱা হলে কৃষ্ণ জৰাসন্ধৰ খেদাত দ্বাৰকা নাপায়গৈ।

গান্ধাৰী। দুৰ্য্যোধন! সেইবোৰ কথা মোৰ আগত নকলেই ভাল পাওঁ। তুমি কি ধৰ্ম্মৰ সহায়ত এই যুদ্ধলৈ সাজু হৈছা? পাণ্ডৱে তোমাক কি কৰিলে? পাণ্ডৱৰ বীৰত্ব, পাণ্ডৱৰ যশগৌৰৱেই তোমাৰ হিংসা নহয় নে দুৰ্য্যোধন? মই তোমাৰ মাতৃ, তথাপি মই কওঁ, আজিলৈকে যি অমানুষিক ঘটনাৰ দ্বাৰা পাণ্ডৱক

নির্য্যাতিত করা ছৈছে সেইবিলাকৰ কাৰণে তুমি দায়ী নহয় নে? তুমি ভাবিছা নে দ্রৌপদীৰ বস্ত্রহৰণৰ নিচিনা অত্যাচাৰ ধৰ্ম্মই সহিব বুলি? তুমি ভাবিছা, পাণ্ডৱক নির্ম্মূল কৰি কুৰুবংশৰ বিজয়ধ্বজা অকলৈ উকৱাবলৈ বুলি? কৌৰৱ আৰু পাণ্ডৱ দুয়ো মিলি সেই গৌৰৱ উপার্জ্জন কৰিলে কি হানি হব? নিজৰ যশ, গুণ, বল, বীর্য্যাদিৰে পাণ্ডৱক চেৱ পেলাবলৈ যত্ন নকৰা কিয়? যুধিষ্ঠিৰৰ কিমান সহনীয় গুণ চোৱাচোন। সকলো তোমাক এৰি দি খুজিছে মাত্ৰ পাঁচখন গাওঁ। কৰ্ণক অঙ্গদেশ দান কৰিবলৈ তুমি বেয়া নাপালা, কিন্তু নিজৰ বংশৰ ভাই পাঁচোটাক প্রবর্ত্তিবলৈ পাঁচখন গাওঁ দিব নোৱাৰিলা। কি কম! দৈৱৰ লিখন কোনে খণ্ডাব! তোমাক হিংসাৰ জুৱে তিল-তিলকৈ পুৰিছে।

দুর্য্যোধন। এতিয়া আৰু এই বিষয়ে তৰ্ক কৰিবৰ সময় নাই মাতৃ! সকলো স্থিৰ হৈ গৈছে। মই পলম কৰা অন্যায় ছৈছে। আহিলোঁহে মাতৃ! (সেৱা কৰে)

গান্ধাৰী। যোৱা পুত্ৰ! যুদ্ধত যশস্যা লাভ কৰাগৈ। দৈৱৰ লিখন কোনে খণ্ডাব, যথা ধর্ম্ম তথা জয়।

[দুর্য্যোধনৰ প্রস্থান

অপায় আৰু অমঙ্গলৰ প্রবল সূচনা। স্বর্গত বিভীষিকা, প্রকৃতিত বিভীষিকা, আকাশ, পাতাল, স্বর্গ, মর্ত্য, সকলোতে বিভীষিকা। প্রভূ! তোমাৰ ইচ্ছা, তুমিয়েই কৰাৰ্ত্ততা, সেইদেখি কৰিছে; তুমিয়েই দুর্য্যোধনৰ বুকুত হিংসাৰ জুই জ্বলাই দিছা, আৰু নুমাব লাগিবও তুমিয়েই। [প্রস্থান

তৃতীয় দৃশ্য—কুৰুক্ষেত্ৰ

(দুয়োফালে সৈন্যৰ জয়ধ্বনি। ভীষ্ম আৰু কৃষ্ণ সৈন্যবিলাক)

ভীষ্ম। অদ্যাৰ যুদ্ধৰ মই পক্ষপাতী কেতিয়াও নহওঁ, পাণ্ডৱৰ লগত দহদিন মাত্ৰ যুদ্ধ কৰিম। শ্রীকৃষ্ণৰ সাক্ষাতে অর্জ্জুনে ৰক্ষা কৰা অন্ততঃ দহহেজাৰ ৰক্ষী সৈনিক দিনে বধ কৰিম। এইদৰে পাণ্ডৱসৈন্য নাশ কৰি কৌৰৱসৈন্য ৰক্ষা কৰিম। তোমালোকে মোৰ যুদ্ধনীতি শুনি তাক পালন কৰিবা। তাৰ অন্যথা কৰিলে তোমালোক যুদ্ধৰ ৰীতিমতে দাগী হবা। ভয়াতুৰ, শস্যাগত আৰু অস্ত্রহীনক বধ কৰা অনুচিত। যি অস্ত্রহীনৰ ওপৰত অস্ত্র প্রয়োগ কৰে তাৰ পতন নিশ্চিত। এজনৰ লগত যুদ্ধ কৰি আন এজনক সংহাৰ কৰা যুদ্ধনীতিৰ বাহিৰ। যিবিলাকে অস্ত্রশস্ত্র যোগায়, যি দূত আৰু যিবিলাক বাদ্যকৰ সেই-বিলাকলৈ অস্ত্র প্রয়োগ কৰা নিষেধ। ৰথীয়ে-ৰথীয়ে, পদাতিয়ে পদাতিয়ে, অশ্বাৰোহীয়ে অশ্বাৰোহীয়ে, সমানে সমানে যুদ্ধ কৰাই যুদ্ধনীতি। ইয়াৰ অকণো ব্যতিক্রম নকৰিবা। মনত ৰাখিবা, যুদ্ধত মৃত্যু হলে স্বর্গলাভ, জয়ী হলে যশস্যা লাভ। ইয়াকে ভাবি যুদ্ধত তৎপৰ হোৱা। [প্রস্থান

কুৰুসৈন্য। জয় মহাৰাজ দুর্য্যোধনৰ জয়! জয় কুৰু-সেনাপতি দেৱব্রতৰ জয়!

(কুৰুসৈন্যৰ প্রস্থান। বিপৰীত ফালে সৈন্যৰ কোলা-হল। অর্জ্জুনে চক্ থাই অহাদি আগে আগে আছে। শ্রীকৃষ্ণই পাছে পাছে ব্যগ্রভাৱে ঘোঁৰা খেদোৱা চাবুক লৈ মাতি মাতি আছে।)

শ্রীকৃষ্ণ। সখি! সখি পার্থ! যুদ্ধৰ সময়ত তুমি বধৰ পৰা নামি এইদৰে ওচি অহা ক্ষত্রিয়োচিত হোৱা নাই! গাণ্ডিৱ তুলি লোৱা পার্থ! আহা।

অর্জ্জুন। (কতীয়াকৈ ঘুৰি চাই ব্যগ্রভাৱে হাতত ধৰি) প্রভু ৰক্ষা কৰা, ৰক্ষা কৰা, মই নোৱাৰিম।

শ্রীকৃষ্ণ। অর্জ্জুন! ক্ষত্রিয়ৰ ধর্ম্ম বিসর্জ্জন নিদিবা। (অর্জ্জুনক ধৰে)

অর্জ্জুন। প্রভু! সখি! বন্ধু-বান্ধব, ইষ্ট-মিত্র-কুটুম্ব, ভাই-ককাই, পো-নাতি এইবোৰক মই নিজহাতে বধ কৰিম, ই কেতিয়াও হব নোৱাৰে। পিতামহ ভীষ্ম, গুৰু দ্রোণ, মাতুল শকুনি, শত ভাই দুর্য্যোধন, শশা, কৃপ, অশ্বত্থামা, কর্ণ আদিক মই নিজহাতে বধ কৰিম, ই কেতিয়াও হব নোৱাৰে। অসম্ভৱ প্রভু! অসম্ভৱ! নিজ পৰিয়াল বধ কৰা কেতিয়াও উচিত নহয়।

সিইতে মোক কি কৰিছে? এইবিলাকক মাৰি কি লাভ? কাক চাই মই জীয়াই থাকিম? বংশৰ গৌৰৱ ৰক্ষা কৰিবলৈ যি ৰাজ্যৰ আৱশ্যক সেই বংশ ধ্বংস কৰি ৰাজ্যেৰে কি কৰিম? সখি! মই কৰাঘোৰে মাতিছো, মোক এই ধ্বংসযজ্ঞলৈ নামাতিবা। জীৱনৰ অনেক কাল এইদৰে গৈছে, বাকীখিনো যাব। বংশনাশতকৈ বনবাস শ্রেয়ঃ। সখি! কাৰো কৰিছো, মোক সন্ন্যাসী হবলৈ এৰি দিয়া।

শ্রীকৃষ্ণ। হাঃ হাঃ হাঃ (উচ্চহাস্য) সন্ন্যাসী হবলৈ এৰি দিম! কৃষ্ণই ইমান সহজে নেৰে, মনত ৰাখিবা ধনঞ্জয়! মোৰ নিমন্ত্রণ আছিল বীৰ অর্জ্জুনৰ সাৰথি হবলৈ, সন্ন্যাসী অর্জ্জুনৰ সাৰথি হবলৈ নহয়। অর্জ্জুন! কর্ত্তব্য কর্ম্মলৈ আওহেলা নকৰিবা।

অর্জ্জুন। (আঁঠু কাঢ়ি ভৰিত ধৰিব খুজি) ৰক্ষা কৰা সখি! ৰক্ষা কৰা, মই নোৱাৰিম।

শ্রীকৃষ্ণ। পাৰিব লাগিব, উঠা। (হাতত ধৰি তোলে) কর্ত্তব্য কর্ম্ম নকৰা মহাপাপ।

অর্জ্জুন। ই কর্ত্তব্য নহয়, অকর্ত্তব্য, অধর্ম্ম, অকর্ম্ম! কুল ধ্বংস কৰি, কুলধর্ম্ম বিনষ্ট কৰি, কুলস্ত্রী বিধবা কৰি পৃথিবীবহে নালাগে ত্রৈলোক্যৰো আধিপত্য নালাগে।

শ্রীকৃষ্ণ। ই কর্ম্ম, ই কর্ত্তব্য। তুমি একো বুজা নাই। ক্ষত্রিয়ৰ যুদ্ধই ধর্ম্ম।

অর্জ্জুন। অসম্ভৱ সখি! অসম্ভৱ! গুৰুহত্যা, পুত্রহত্যা, পৌত্রহত্যা, ভ্রাতৃহত্যা, বন্ধুবান্ধৱ হত্যা মহাপাপ। ই কেতিয়াও ধর্ম্ম হব নোৱাৰে—কেতিয়াও কর্ত্তব্য হব নোৱাৰে। এনে ধর্ম্ম মোক নালাগে।

শ্রীকৃষ্ণ। এনে ধর্ম্ম তোমাক লাগিবই। এই ধর্ম্ম পালন কৰাবলৈ মই তোমাৰ ৰথৰ সাৰথি।

অর্জ্জুন। তোমাৰ কর্ত্তব্য তুমিয়েই কৰা প্রভু! আহি-লোঁহে। (যাব খোজে)

শ্রীকৃষ্ণ। অর্জ্জুন ৰবা।

অর্জ্জুন। নোৱাৰিম ৰব আৰু প্রভু! (আকৌ যাব ওলায়)

শ্রীকৃষ্ণ। (অর্জ্জুনৰ হাতত ধৰি) তুমি মোহগ্রস্ত হৈছা অর্জ্জুন! আগেয়ে অহঙ্কাৰ কৰি কৌৰৱৰ লগত যুদ্ধ কৰিবলৈ আহি উলাট গলে জগতে তোমাক কি বুলিব? বিপক্ষৰ সৈন্যৰ ভয়ত পলাল বুলি লোকে নকৰ নে? ক্ষত্রিয়ৰ শিৰোমণি অর্জ্জুনৰ নাম হব ভীৰু কাপুৰুষ।

অর্জ্জুন। ভীৰু হওঁ, কাপুৰুষ হওঁ তাত কোনো কথা নাই। কিন্তু আত্মীয়স্বজন বধ কৰি মোক বীৰৰ নাম নালাগে প্রভূ!

শ্রীকৃষ্ণ। তোমাক আগ কৰি,লৈ যুধিষ্ঠিৰে ইয়ালৈকে যুদ্ধ পাতিছিল। অর্জ্জুন! কাপুৰুষ নহবা। সম্মুখ সংগ্রামত অস্ত্র ধৰা।

অর্জ্জুন। সখি! প্রভূ! জাতিবধ মহাপাপ। মই তোমাৰ শৰণাপন্ন, মোক ৰক্ষা কৰা।

শ্রীকৃষ্ণ। তুমি মোৰ শৰণাপন্ন স্বীকাৰ কৰিছোঁ, মই যি কৰিবলৈ কওঁ তাকে কৰিবা।

অর্জ্জুন। সখি!...

শ্রীকৃষ্ণ। (হাঁহি) তুমি ঠিক পণ্ডিতৰ দৰেই কথা কৈছা। কিন্তু অবাৱত বন্ধৱ নিমিত্তে শোক কৰি মূর্খামি কৰিছা। পণ্ডিতে কাৰো নিমিত্তে শোক নকৰে। জীৱাত্মাৰ জন্মমৃত্যু একো নাই। ই অটুট; ইয়াক অগ্নিয়ে দাহ কৰিব নোৱাৰে, অস্ত্রই ছেদন কৰিব নোৱাৰে। যেনেকৈ মানুহে জীর্ণ বস্ত্র পৰিত্যাগ কৰি নব বস্ত্র পৰিধান কৰে, সেইদৰে জীৱাত্মাৰ কর্ম্ম অনুসৰি, দেহান্তৰ ঘটে। যুদ্ধ ক্ষত্রিয়ৰ ধর্ম্ম। যদি তুমি এই যুদ্ধ পৰিত্যাগ কৰা, তেন্তে স্বধর্ম্মত্যাগী পাপী হবা। স্বধর্ম্মত নিধনো শ্রেয়, পৰধর্ম্ম ভয়াবহ। তুমি স্বধর্ম্ম সাৰ কৰি যুদ্ধত মন দিয়া। যুদ্ধত মৃত্যু হলে অক্ষয় স্বর্গলাভ। জয় হলে পৃথিবী লাভ। কর্ম্মত প্রবৃত্ত হোৱা অর্জ্জুন! কর্ম্মত প্রবৃত্ত হোৱা। কর্ম্মফল নাভাবি, জয়-পৰাজয় নাভাবি, তোমাৰ কর্ত্তব্য কৰা। দুখত কাতৰ নহৈ, আনন্দত বিভোৰ নহৈ, অনুৰাগ আৰু ভয় বিসর্জ্জন দি প্রকৃত জ্ঞানীৰ দৰে কাম কৰা। যি জ্ঞানী তেওঁৰ মনত ভোগ, বিলাস, মায়া, মমতা, হিংসা, দ্বেষ অহঙ্কাৰ একো নাই। জ্ঞান সকলোতকৈ শ্রেষ্ঠ।

অর্জুন। হে যদুপতি! তোমার কথাতেই স্থিরতা নাই। তুমি কেতিয়াবা কর্ম্মক আক কেতিয়াবা জ্ঞানক প্রশংসা কৰিছা। যদি কর্ম্মতকৈ জ্ঞান শ্রেষ্ঠ, তেন্তে মোক এই ধ্বংসযজ্ঞলৈ আহ্বান কৰিছা কিয়?

শ্রীকৃষ্ণ। সখি! বিনাকর্ম্মে প্রকৃতিয়ে কাকো থাকিবলৈ নিদিয়ে। আসক্তি নোহোৱাকৈ কর্ম্ম কৰি যি ইন্দ্রিয় সংযম কৰে তেওঁ শ্রেষ্ঠ। কর্ম্মবিহীনা হোৱা জ্ঞানেই প্রকৃত জ্ঞান। ত্রিভুবনত মোৰ একোৱে অভাৱ নাই। তথাপি মোৰ একো অকর্ত্তব্য নাই। মই কর্ম্ম নকৰিলে সকলোৱে মোক দেখি কর্ম্মত্যাগ কৰিব। সেইদৰে ব্রহ্মাণ্ড উৎসন্ন হব। সেইদেখি মূর্খ ই যেনেকৈ ফল আশা কৰি কাম কৰে, বিদ্বানে তেনেকৈ আসক্তি এৰি লোকধর্ম্ম ৰক্ষাৰ কাৰণে কাম কৰে। তুমি অন্তর্য্যামী পুৰুষৰ লগত কাম কৰিছা বুলি ভাবি স্বখদুখ পৰিত্যাগ কৰি যুদ্ধ কৰা। কামনাই জ্ঞানক আচ্ছন্ন কৰি ৰাখে। বাসনা পৰিত্যাগ কৰি কর্ম্ম কৰিলে জ্ঞান জ্বলি উঠে। সেই দেখি অর্জ্জুন উঠা। কর্ম্মেন্দ্রিয় জগাই তোলা। শ্রেয় কর্ম্ম কৰি যোৱা। ক্লৈবতা এৰি দিয়া, মোৰ হৈ তুমি কর্ম্ম কৰিব লাগিব। এইদৰে মই অনন্তকাল কর্ম্ম কৰি আছিছোঁ। যেতিয়াই অধর্ম্মৰ প্রভাৱত ধর্ম্ম নষ্ট পায় তেতিয়াই মই ধৰাত জন্ম ধৰি ধর্ম্ম সংস্থাপন কৰোঁ।

অর্জ্জুন। প্রভু মই জানিও নজনা হৈছোঁ। তুমিয়েই সেই অনাদি অনন্ত পুৰুষৰ অৱতাৰ। তুমিয়েই সকলোবে হর্ত্তাকর্ত্তা। তথাপি মোক এই ধ্বংসযজ্ঞলৈ নামাতিবা।

শ্রীকৃষ্ণ। (অলপ ইতস্ততঃ কৰি) অর্জ্জুন! মোৰ ইচ্ছাত তোমাৰ দিব্য-চক্ষু হ'ক। তুমি মোৰ জ্যোতির্ম্ময় দিব্য জ্যোতি দর্শন কৰা। চোৱা অর্জ্জুন! কোন্ কাৰ শত্রু কোন কাৰ মিত্র। কোনে কাক ৰাখে কোনে কাক মাৰে। (শ্রীকৃষ্ণই জ্যোতির্ম্ময় দিব্যৰূপ ধৰে। অর্জ্জুন আচৰিত হৈ হাতেৰে চকুত আঁৰ দি এখোজ দুখোজকৈ পাছলৈ যায়।)

অর্জ্জুন। (আচৰিতভাৱে) ই কি যদুপতি! ই কি তোমাৰ ৰূপ! মই প্রকৃতিহ হৈ থাকিব পৰা নাই প্রভু! গোটেই বিশ্বব্রহ্মাণ্ডৰ ই কি ৰূপ! মই তোমাৰ সকলো দেখিছো প্রভু! হে শঙ্খচক্রগদাপদ্মধাৰী পৰমাত্মা! নীল আকাশৰ চন্দ্র সূর্য্য তোমাৰ চকু। তুমি তোমাৰ প্রভাৱেৰে ব্রহ্মাণ্ড ব্যাপি আছা। যক্ষ, ৰক্ষ, নৰ, দেৱতা সকলো তোমাৰে অঙ্গভূক্ত; তোমাৰ ইচ্ছাতে সকলোৱে জন্ম আৰু ধ্বংস হৈছে। হে জগন্নাথ! প্রসন্ন হোৱা। তোমাৰ মূর্ত্তি দেখি মোৰ শৰীৰ ৰোমাঞ্চিত হৈছে। মহাবীৰ ভীষ্ম, দ্রোণ, কর্ণ আৰু শতভাই দুর্য্যোধন আদি তোমাৰ কৰাল মুখত সোমাবলৈ আৰম্ভ কৰিছে। নৈৰিলাক, সাগৰত লহ হোৱাৰ দৰে, অগ্নিত পতঙ্গ ধ্বংস হোৱাৰ দৰে তোমাৰ শৰীৰত সকলো ধ্বংস হৈছে। হে ত্রৈলোক্যৰ ঈশ্বৰ! (আঁঠু কাঢ়ি) মই তোমাক নমস্কাৰ কৰিছো। তুমি প্রসন্ন হোৱা। তোমাৰ ৰূপ সম্বৰণ কৰা। মোৰ দিব্যচক্ষু লৈ যোৱা। মই একো নাজানো। তুমি কোন মোক কোৱা? (উঠে)

শ্রীকৃষ্ণ। অর্জ্জুন! মই পৃথিবীৰ ভাৰ লাঘৰ কৰিবৰ নিমিত্তে সাক্ষাৎ কালৰূপে ধ্বংস কৰিবলৈ প্রবৃত্ত হৈছোঁ। তোমাৰ বাহিলে বিপক্ষৰ সকলোটি ধ্বংস হব। সেইদেখি তুমি যুদ্ধত প্রবৃত্ত হোৱা। শত্রু বধ কৰি ৰাজ্য আৰু যশ লাভ কৰা। মই আগেয়ে সকলো বধ কৰি থৈছোঁ। তুমি এতিয়া বধৰ নিমিত্ত মাত্র হোৱা। তুমি ভীষ্ম, দ্রোণ, কর্ণ আদিক হুৰ শোক পৰিত্যাগ কৰি বধ কৰা। বিলম্ব নকৰিবা। তোমাৰ জয় নিশ্চয় হব। তোমাৰ বাহিলে মোৰ এই ৰূপ কোনেও দেখা নাই। যোগীসকলে এই ৰূপ দেখিবলৈ বাঞ্ছা কৰে। ইয়াত তুমি মোহিত নহবা। ভয় ভ্রান্তি এৰি মোক আগৰ দৰেই চোৱা। দেখিয়া মই তোমাৰ পূর্ব্বৰ সখি কৃষ্ণই।

অর্জ্জুন। (আঁঠু কাঢ়ি কৰযোৰে) হে প্রভু! মোক ক্ষমা কৰা। মোৰ এতিয়া জ্ঞানচক্ষু উন্মিলিত হৈছে। তুমি আদি, তুমি মধ্য, তুমি অন্ত। তুমিয়েই

আৰু প্রলয় দুয়োৰে কাৰণ, তোমাৰ জন্মমৃত্যু একো নাই। তুমি অবিনাশী ব্রহ্মা। হে বিশ্বেশ্বৰ! মোৰ সহস্র সহস্র প্রণাম গ্রহণ কৰা, হে বিশ্বব্রহ্মাণ্ডৰ প্রতিমূর্ত্তি! মই তোমাক নৌৰে-বাৰে, তলে-ওপৰে প্রণাম কৰিছোঁ, মোৰ প্রণাম গ্রহণ কৰা। তুমিয়েই চন্দ্র-সূর্য্য, গ্রহ-উপগ্রহ; তুমিয়েই বায়ু, যম, অগ্নি, বৰুণ, প্রজাপতি; তুমিয়েই বজ্রপাণি ইন্দ্র, তোমাৰ শক্তিয়েই উমগণাশ পৱন। তুমি অনন্তবীর্য্য, অনন্ত পৰাক্রমী। তুমি গোটেই বিশ্বত ব্যাপকভাৱে আছা। হে জগৎ কাৰণ! তোমাক মই কৃষ্ণ, সখি আদি বুলি সম্বোধন কৰিছো, তোমাক মই খাওঁতে শোঁতে, বহোঁতে, লগত থাকোঁতে, বা অকলে অনেক তিৰস্কাৰ কৰিছোঁ; মোক ক্ষমা কৰা। পিতাই যেনেকৈ পুত্রৰ, মিতই যেনেকৈ মিত্রৰ, স্বামীয়ে যেনেকৈ ভার্য্যাৰ, প্রভুৱে যেনেকৈ ভৃত্যৰ দোষ মৰিষণ কৰে, সেইদৰে মোক ক্ষমা কৰা। মই তোমাক পুনঃ পুনঃ প্রণাম কৰোঁ।

শ্রীকৃষ্ণ। ধনুৰ্দ্ধৰ উঠা। মই এতিয়াও তোমাৰ সখি সেই কৃষ্ণই। তোমাৰ এতিয়াও বহুত জানিবলৈ আছে, সেইবোৰ মই তোমাক লাহে লাহে কম। এইদৰে তুমি জ্ঞানী সকলৰ পৰা প্রণিপাত, প্রশ্ন আৰু সেৱাৰ দ্বাৰা জ্ঞান ভিক্ষা কৰিবা। এতিয়া উঠা, সম্মুখ সংগ্রামলৈ বিপক্ষ দল সাজু হৈ আছে। শৰীৰৰ জড়তা দূৰ কৰি গাণ্ডীৱ তুলি লোৱা। গাণ্ডীৱৰ টঙ্কাৰত ত্রিভুবন কঁপি উঠক—শত্রুসৈন্যৰ বল ক্ষয় হ'ক।

(অর্জ্জুনে আনন্দ মনেৰে একেম্বাপে উঠি কঁকালৰ টঙ্গালি টানি মাৰে আৰু গাণ্ডীৱ তুলি লয়। আগে আগে অর্জ্জুন আৰু পাছে পাছে কৃষ্ণৰ প্রস্থান)

৪র্থ দৃশ্য

(তেজেৰে বাঙ্গলী মৰা শৰে ভৰা যুদ্ধক্ষেত্র। ভৈৰবী বেশে গাভৰু তিনি গৰাকীৰ গীত)

কি সুৰত বাজে বাঁহীটি তোমাৰ
কি সুৰত উঠে তান।
উথলি উঠিছে শোণিতসিন্ধু
ধৰণী কম্পমান।
যি বাঁহীৰ তানে যমুনা উজায়
যি বাঁহীৰ তানে গোপী নচুৱায়
কি সুৰে বজালা সেই বাঁহী আজি
শিয়ৰি উঠিলে প্রাণ॥
কাল কৰালে গ্রাসে চৰাচৰ
কম্পিত আজি যত দেৱনৰ
স্তম্ভিত শুনি বাঁহীটি তোমাৰ
উথলে প্রলয় বাণ॥ [প্রস্থান

(সম্ভৱ ভৈৰববেশে প্রবেশ। তেজ, মৰা শ আদিৰ ওপৰে ওপৰে ডেও দি দি ফুৰে)

সম্ভ। তেজ! তেজ! গোটেইখনতে তেজ! ভৰি দিবলৈ ঠাই নাই! ইমানবোৰ মৰা মানুহ! ইয়াকে বোলে কচু কটা! ভাল কথা! আগেয়ে তেজৰ নাম শুনিলেই ভয় লাগে, এতিয়া তেজৰ মাজে মাজে ডেও দি ফুৰি বৰ ভাল লাগিছে। বাঃ! বাঃ! কলীয়া, তোমাৰ লীলা, তেজ.....তেজ, বৰ সুন্দৰ, বঙ্গা যেনিবা জৱাফুলহে ছিন্নি-ভান্নি পৈছে। কি সুন্দৰ—কি পূজা—গছৰ জৱাফুলতকৈ মানুহৰ বুকুৰ জৱাফুল বেছি ভাল। নহয় নে মাতৃ মহাকালী? (হঠাৎ মৰাশ এটাত উজুটি খাই) অ' অ' এইজন আমাৰ চিনাকি, এওঁ দাত নিকটালে। বুকুতে শালিলে। বাক্ ভাল হৈছে। এইদেই সংসাৰ। কালি বাটটো সুবিধত কৰলৈ বেয়া পালো। পেংগাই কৰিলা। বাক্! (আন এটা তুলিলে পেট পেলাই পৰি থকা দেখি) এইটোৰ দেখোন গাত মৰা কটাৰ একোৱে চিন নাই। কোনোবাই নেলু চেপা দিলে নেকি? (হাতেৰে ছুই ঠেলি) গাটো দেখোন জীয়া মানুহৰ নিচিনা তপতেই। (ডাঙৰকৈ) বোলো হেৰা পেট পেলোৱা ভকত! তুমি মৰিলা নে জী আছা? হয় নে? বোলো মৰিলানে জীয়াই আছা? (স্বগতঃ) বিশ্বাস হোৱা নাই, (ডাঙৰকৈ) ভগা দা এদোধৰ আনি বাক্ খুচি চাওঁচোন। (দা বিচাৰে)।

সেনা। (ঘগকৈ উঠি উত্তাৰল হৈ সম্ভৱ ভৰিত সাৰট

মাৰি ধৰি) হে ঈশ্বৰ ! তুমি দেৱতাই হোৱা বা মনুষ্যই হোৱা মোক ৰক্ষা কৰা, ভৰিত পৰি মাতিছো।

সন্ত। নালাগে মাতিব শুই থাকা। মই দাৰে খুচি চালেহে মাতিবা।

সেনা। দেউতা ! ৰজাৰ দোহাই—গুৰুৰ দোহাই।

সন্ত। বাৰু হৈছে, হৈছে। মই এধামৰাহে বিচাৰি ফুৰিছো জীয়াবলৈ, তুমি দেখোন পূৰা জীয়াটোৱেই ইয়াত ভয়ত মৰা পৰা দিছা। ৰাতি হলেই মানুহে নেদেখাকৈ লৰ দিব দিবলৈ নহয় ?

সেনা। (মূৰ খজুৱাই) এ-ৰা...

সন্ত। যুঁজ নকৰিলে নো তোমাক কোনে শাস্তি দিয়ে ? লোকে বেয়া বোলে বুলি আহি ভাও ধৰিলাহি, নহয় ?

সেনা। এ-ৰা...

সন্ত। ৰজাৰ ধন ইয়ালৈকে খাইছা, নহয় ?

সেনা। এ-ৰা...

সন্ত। তুমি তেন্তে মস্ত বীৰ ?

সেনা। এ-ৰা...

সন্ত। তুমি হবলা এৰাকেহে চিনি পোৱা।

সেনা। এ-ৰা...

সন্ত। অ' এইটো বলিয়া হবলা।

সেনা। হেঃ হেঃ হেঃ এৰা।

সন্ত। যাঃ (সন্ত আন এফালে যায়)

সেনা। হ'ক তেও, ঈশ্বৰ ! আজিলৈ কোনোমতে সাৰিলো। (পোন হৈ) উঃ ৰাম !

[সন্তই নেদেখাকৈ প্ৰস্থান

১ম চাণ্ডাল। (নেপথ্যত) নহয়, তই চুৰিয়াখন ল, মোক দে চোলাটো।

২য় চা। (নেপথ্যত) নহয়, মইহে চোলা লম।

১ম চা। (প্ৰবেশ) তই আন এটা নিবি।

২য় চা। (প্ৰবেশ) এহে এইটোৰ নিচিনা ৰজাৰ চোলা আজি ক'ত পাবি ? এনেকুৱা চোলা পিন্ধা ৰজা আজি মৰাই নাই।

১ম চা। মই নিদিওঁ যা। (তেজেৰে ৰাঙ্গলী চোলা চুৰিয়া লৈ কঢ়া আঁজোৰা কৰে)

সন্ত। হেৰ এইকিটাক কিহে পালে ? হেৰ বন্দী মানুহৰ শগুণহঁত !. তইঁতৰ হল কি ?

১ম চা। চাচোন ডাঙ্গৰীয়া, মোৰ চোলাটো নিদিয়ে। (চোলা সামৰে)

২য় চা। নহয় তাৰ চোলা। আমি দুয়ো মৰা ৰজাটো একে সময়তে দেখিছিলো। সি চোলাটো লৈ মোক চুৰিয়াখন দিব খুজিছে।

১ম চা। একেলগে দেখিলি পিছে কি হল ? তেজৰ মাজৰ পৰা মইহে আগধৰি চোলাটো সোলোকাই আনিলো। (দ্বিতীয় চাণ্ডালে চোলাটো প্ৰথমটোৰ হাতৰ পৰা আঁজোৰে)। একেচৰে হাঁহে ঘূৰাদি ঘূৰিবি একা কৈ দিছোঁ।

২য় চা। হেৰ মই হবলা শুদাই এৰিম ! (আকৌ কঢ়া-আঁজোৰা কৰে)

সন্ত। ৰ, ৰ, মৰামৰি নকৰিবি ; মই বিচাৰ কৰোঁ।

১ম চা। বাৰু ডাঙ্গৰীয়া তই ভাগ কৰি দে।

২য় চা। হয় বাৰু ভাগ পাত।

সন্ত। (স্বগতঃ) যি যিহৰ লায়ক, মোৰ বিচাৰো হব সেইদৰে। (ফুটাই) মই যিহকে কম তাকে শুনিবি, নহলে চোৰ বুলি ৰজাৰ ওচৰলৈ ধৰি নিম, বুজিছ ! (দুয়োটাই মূৰ জোকাৰে) সৌ দাখন আন। (১ম চাণ্ডালে দাখন আনে) দে চুৰিয়া দে। (চুৰিয়াখন লৈ সমানে দুডোখৰ কৰি দুয়োকো দিয়ে) দে চোলা দে। চোলা লৈ পিঠিৰ সিয়নিদি দুফাল কৰি দুইকো দুফাল দিয়ে) চুৰিয়াৰে পাগুৰি মাৰ। চোলা পিন্ধ। (চাণ্ডাল দুটাই তাকে কৰে)

১ম চা। ডাঙ্গৰীয়া ! তই কি কৰিলি ? চোলা দেখোন এফালহে হল, এখন হাত হে সোমাল।

২য় চা। মোৰো এখন হাত হে হ'ল। ইখন হাত উদ হৈয়ে থাকিব নেকি ?

সন্ত। হেৰ ৰজাৰ হাত আছিল দুখনহে। সমানে সমানে ভগালে এটাকৈ নপৰি আৰু কেইটাকৈ পৰিব।

কেতিয়াবা চাৰিহতীয়া ৰজা মৰিলে চাৰিহতীয়া চোলা আনিবি। দুটা দুটা হাত পাবি। নহলে আকৌ দুহাত থকা এটা আনি ভাগ পাতিলে লগাই লগাই লবি। মুখেৰে নামাতিবি। ইয়াৰ পৰা তৎক্ষণাৎ ভাগ। (চাণ্ডাল দুটাই এফাল এফাল চোলাৰ বেহৰূপ চাই গুচি যায়)

সন্ত। সৌৱা আমাৰ গাভৰুহঁত ভৈৰবীৰ বেশেৰে ইয়াতে ফুৰিছে। এইহঁতৰ মনে মোৰ মনে বেছ খাপ খাই পৰিছে দেই। ৰণ ভাগক। আমাৰ কলীয়া প্ৰভুক খুজি এই তিনিওটীৰে পাণিগ্ৰহণ কৰিব লাগিব। ত'ত যেতিয়া হাজাৰে হাজাৰে ৰখাইছে, আমাক তিনটীও নিদিব নে ? ইহঁতক দেখা নিদিওঁচোন। আলেঙে আলেঙে ফুৰো। [প্ৰস্থান

(ভৈৰৱীহঁতৰ প্ৰবেশ)

১মা ভৈ। হয় পায়, হয় অ'।

২য়া ভৈ। মোৰো হয় হয় যেন লাগিছে।

৩য়া ভৈ। আমাতকৈ লোকে আগেয়ে আহিছে।

১মা ভৈ। মানুহটোলৈ বৰ মোহ সোমাল পাই !

২য়া ভৈ। মাতচোন বাৰু মাত।

৩য়া ভৈ। (ডাঙ্গৰকৈ) হেৰা সন্ত ককাইটি ! ৰবা।

১মা ভৈ। নহয় নহয়, উভতিকে নাচালে। কোনোবাহে।

২য়া ভৈ। ছিঃ কাৰবাক হে মতা হল !

৩য়া ভৈ। বলা বলা, কি হব আৰু। সন্ত অহা হলে বৰ ভাল লাগিল হেঁতেন। [তিনিওৰো প্ৰস্থান

(সন্ত ওলাই লৰ দি কৈ যায়)

সন্ত। ককাইটিহে হয়। এইহঁতে পালে শুদাই নেৰে। আলেখ-লেখ চাওঁ।

৫ম দৃশ্য

(ৰাতি—দুৰ্য্যোধনৰ শিবিৰ। ৰাতিৰ সাজত দুৰ্য্যোধন, শকুনি আৰু প্ৰহৰী)

দুৰ্য্যোধন। ৰাতি ভালেমান হল মামা ! আপুনি তেন্তে য'ক। [দুৰ্য্যোধনৰ প্ৰস্থান

শকুনি। যাওঁ ভাগিন যাওঁ। (স্বগত) দুৰ্য্যোধনৰ বৰ আনন্দ, ভীষ্মই প্ৰতিজ্ঞা কৰি পাঁচোটা শৰ বাছি লৈছে। কোনে জানে কৃষ্ণৰ মহিমা ! তেওঁ বা ইতিমধ্যে কি কৰে ! ভীষ্মৰ প্ৰতিজ্ঞাৰ কথাটো নিশ্চয় পাণ্ডৱৰ শিবিৰ পালেগৈ। দেখা য'ক ক'ৰ পানী কলৈ যায়। (বিপৰীত ফালে প্ৰস্থান। প্ৰহৰী অলপ গৈ দুৱাৰ মুখৰ পৰা ঘূৰি আহে)

প্ৰহৰী। মোৰ পিতলৰ গোসাঁই। এইখনক কিহে পালে ঐ ? দিন নাই ৰাতি নাই, ইটো আহিব, সিটো আহিব। ইটোক আগবঢ়া, সিটোক আগবঢ়া। হেৰ পালে কি হে ? দিনত যেনিবা থোৱা কামোৰা কৰি মৰ, ৰাতি কৰিছ কি এইখন ? (দুৱাৰ মুখত অলপ সময় থিয় হৈ পহৰা দি লাঠীৰ মূৰত আওজি থিয়ৈ থিয়ৈ টোপনি যায়। হঠাৎ উচাপ খাই হামিয়াই হেঁকতিয়াই ভিতৰলৈ যায়। বিপৰীত ফালৰপৰা আগে আগে অৰ্জ্জুন পাছত শ্ৰীকৃষ্ণৰ প্ৰবেশ। শ্ৰীকৃষ্ণই দুৱাৰ মুখত কথমপি গা দেখুৱায়)

শ্ৰীকৃষ্ণ। সখি ! মই এইখিনিতে আছো। তুমি দুৰ্য্যোধনক মাতি মুকুটটো খোজা। যেনেকৈ কবলৈ কৈছো ঠিক সেইদৰেই কৰা। যোৱাঁ এতিয়া।

[কৃষ্ণৰ প্ৰস্থান

অৰ্জ্জুন। প্ৰহৰী !

প্ৰহৰী। (লৰালৰিকৈ ওলাই আহি অৰ্জ্জুনক আঁঠু কাঢ়ি প্ৰণাম কৰে) প্ৰভু ! ইমান ৰাতি ?

অৰ্জ্জুন। মহাৰাজক কগৈ, তৃতীয় পাণ্ডৱ অৰ্জ্জুনে বাহিৰ চ'ৰাত অপেক্ষা কৰিছে। [প্ৰহৰীৰ প্ৰস্থান

অৰ্জ্জুন। (অলপ ইফাল সিফাল কৰি তলমূৰ কৰি ভাবি স্বগতঃ) দৈবৰ ফেৰত আজি ঘৰতে আলহী।

(প্ৰহৰীৰে সৈতে দুৰ্য্যোধনৰ ব্যগ্ৰভাৱে প্ৰবেশ)

দুৰ্য্যোধন। (অৰ্জ্জুনক এখন হাতেৰে আকোৱালি ধৰি) এ আই অৰ্জ্জুন দেখোন ! ৰাতিখন ক'ৰবাৰ মানুহৰ দৰে ইয়াত থিয় হৈ আছা কেলে অৰ্জ্জুন ! ভিতৰলৈ বলা ! ৰণৰ সময়তহে ৰবা। আমি এইদৰে বহুত দিন লগ পোৱা নাই অৰ্জ্জুন ! কিয় আহিলা অৰ্জ্জুন ? বলা ভিতৰলৈ।

অৰ্জ্জুন। দাদা ! ঈশ্বৰৰ ইচ্ছাত এনে হব লগা আছিল।

কি কৰিব। বহুত পলম হৈছে, ধৰ্ম্মৰাজে চিন্তা কৰিব। থিয়ে থিয়ে কথাষাৰ কওঁচোন।

দুর্য্যোধন। কি কৰিবা অর্জ্জুন! ভগৱন্তৰ ইচ্ছা। কোৱা বাক কি কথা।

অর্জ্জুন। আমি বনবাসী হৈ থাকোঁতে দৈবদুর্ব্বিপাকত আপোনাক সদলে গন্ধর্ব্বই বন্দী কৰাৰ কথা মনত আছেনে?

দুর্য্যোধন। আছে, আছে অর্জ্জুন! সেইদিনা তুমি উদ্ধাৰ নকৰা হেতেন কুৰুক্ষেত্ৰত যুদ্ধই নহল হেতেন, নহয় নে? (অর্জ্জুনৰ পিঠিত চপৰিয়াই) অর্জ্জুন! সেইদিনা তোমাৰ পৰাহে ৰক্ষা পালো।

অর্জ্জুন। আপুনি সেইদিনা সস্তোষ পাই মোক বৰ দিব খুজিছিল। মই পিছত লম বুলি কোৱাত আপুনি মাস্তি হল, নহয় নে?

দুর্য্যোধন। হয় হয় অর্জ্জুন! মই সত্য কৰা আছে। এতিয়া লাগে নেকি? কোৱা কি লাগে—ধন, বস্তু, মান, মর্য্যাদা, সসাগৰা পৃথিবী যিহকে লাগে তাকে দিম।

অর্জ্জুন। (হাঁহি) সসাগৰা পৃথিবী! দেখোন যুদ্ধ কৰিবই নালাগে।

দুর্য্যোধন। সত্যৰক্ষাৰ নিমিত্তে তাকো দিবলৈ সাজু আছোঁ।

অর্জ্জুন। দাদা! এই পাতি লোৱা যুদ্ধধন হেঁপাহ পলোৱাকৈ নকৰি সসাগৰা পৃথিবী নালাগে। মোক এটা ক্ষুদ্ৰ দান দিয়ক, আপোনাৰ মুকুটটো।

দুর্য্যোধন। ৰব বস্তুটো খুজিলা! তোমাৰ মুকুট এটাও নাই নে? কোৱাঁ কোৱাঁ আক কি লাগে?

অর্জ্জুন। আক একো নালাগে, মুকুটটোৱেই সকলো।

দুর্য্যোধন। আহোঁ, তাকে নিয়াহি।

[ছয়োৱো ভিতৰলৈ প্ৰস্থান

প্ৰহৰী। আকৌ মোৰ কিলব কুটুমহঁতে গোট খাই বা কিমান পৰ কৰে। বেগেতে চেলেকা-চেলেকি, বেগেতে কটাকটি। বাকটিকা হওঁতে হয়। (ইফাল সিফাল কৰি পহৰা দিয়ে)

(হাতত মুকুট লৈ দুর্য্যোধন আৰু অর্জ্জুনৰ প্ৰবেশ)

দুর্য্যোধন। এইটো তোমাৰ বৰ আৰগুকীয় বস্তু। (অর্জ্জুনৰ মূৰত মুকুট পিন্ধাই দিয়ে) বেছ হৈছে, পাছে তোমাৰ উপকাৰৰ প্ৰতিদান হলনে নহল?

অর্জ্জুন। হব দাদা! সি মোৰ কর্ত্তব্যহে। বাক যাওঁহে। (প্ৰণাম কৰে)

দুর্য্যোধন। (সাবটি ধোৱাঁ) অর্জ্জুন! (আগে আগে দুর্য্যোধন পাছে পাছে প্ৰহৰীৰ ভিতৰফালে প্ৰস্থান।

অর্জ্জুন এখোজ দোখোজকৈ অহাফালে যাওঁতে আগৰ থকা ঠাইবপৰা কৃষ্ণৰ প্ৰবেশ)

শ্ৰীকৃষ্ণ। ঠিক তোমাক দুর্য্যোধনৰ নিচিনাই হৈছে দেখি বলৈ। এতিয়া বেগেতে ভীষ্মৰ শিবিৰলৈ যৌ নিজৰ দুর্য্যোধন বুলি চিনাকি দিয়াগৈ। তুমি ঘোৱাৰ উদ্দেশ্য সুধিলে কবা—পিতামহ! মই নিজহাতে পাণ্ডৱ বৰ কৰিবলৈ আপুনি বাছি ঘোৱা শৰ কেইটা প্ৰাৰ্থনা কৰিবলৈ আহিছো। হেজাৰ হক নিজহাতে পাণ্ডৱক বধ কৰিবলৈ বুঢ়াই ভাল নাপায়। দুর্য্যোধন বুলি তোমাক শৰ পাচোটা দি ভীষ্মই বৰ ভাল পাব। মুকুটটোৰ কাৰণে ভীষ্মই তোমাক বাতি দুর্য্যোধন বুলিয়েই জানি লব। মনত ৰাখিবা, শৰ পাচোটা নানিলে মই কালিলৈ পাঁচ পাণ্ডৱক বাখিব নোৱাৰিম। বলা বেগাই বলা। মই দুৱাৰ মুখতে থাকিম।

[প্ৰস্থান

৬ষ্ঠ দৃশ্য—পাণ্ডৱ শিবিৰ

(উত্তৰাই অকলে মালা গাঁথি গীত গাই বহি আছে)

গীত

নিতে নিতে নিতে নিতে
স্তব্ধ ধৰণী পৰে দিনমণি
বিষাদ বিৰাগ চিতে॥
নিতে নিতে নিতে নিতে
তোমাৰ ককণা কৃপাকণাদানে
জলোৱা বস্তি আন্ধাৰ প্ৰাণে
তৃপ্ত কৰাহে হিয়াৰ সবগ
মঙ্গলময় গীতে॥

নিতে নিতে নিতে নিতে
জোনে মাৰে হাহি, ফুলে ফুলপাহি
তৰা শাৰী শাৰী নাচে নীলাকাশে
বয় বায়ু বয় পৰশে মধুৰ
বিশ্ব জগত হিতে॥
তোমাৰ ককণাকণাৰ বিন্দু
এই চৰাচৰ জীৱৰ সিন্ধু
ঘোষিছে তোমাৰ মহিমা অপাৰ
মঙ্গলময় গীতে॥

(মনে মনে পাছৰ ফালবপৰা অভিমন্যু আহি উত্তৰাৰ চকু মুদাই ধৰে।)

উত্তৰা। কোন এয়া? মই এনে চুপতি ভাল নাপাওঁ।

অভিমন্যু। কোন বাক কোৱা।

উত্তৰা। আমি চিনি পাইছোঁ বা।

অভি। চিনিলা যদি এবিলো। অকলে অকলে যে গান গাই আছা, আমাকো গানৰ ভাগ দিবানে?

উত্তৰা। আপোনাৰ যুদ্ধৰ ভাগ আমাক দিলে গানৰ ভাগ দিব পাৰোঁ।

অভি। যুদ্ধৰ ভাগ লৈ তুমি কি কৰিবা উত্তৰা?

উত্তৰা। ভাগ ললে কিজানি সোনকালে আহিবলৈ সময় পাবেই।

অভি। নহয় উত্তৰা! সময় আক কি পাবা? সময় এইদৰেই থাকিব।

উত্তৰা। বাক আপুনি নো কেনেকৈ যুদ্ধ কৰে?

অভি। তাকো নাজানা—তৰোৱালেৰে কাটি, শৰেৰে বিন্ধি।

উত্তৰা। বাক যুদ্ধ নো কেতিয়া শেষ হব?

অভি। যেতিয়া আমি আটাইবোৰ আদায় হম।

উত্তৰা। য'ক—

অভি। যাবলৈ নাই, এই কিদিনৰ ভিতৰত কিমানবোৰ ক্ষত্ৰিয় কুমাৰ বধ হৈছে কব পাৰানে উত্তৰা? ক্ষত্ৰিয়ৰ লৰা যুদ্ধত মৰিবই লাগিব।

উত্তৰা। তেনে কথা মোৰ আগত নকব শপত দিছো। তেনেবোৰ কথা হবলৈ মোৰ ওচৰলৈ নাহিবই।

অভি। বাক তেনে নাহোঁ।

উত্তৰা। নাথ! (চকু চলচলীয়া হয়, তলমুৰ কৰে)

অভি। (হাতত ধৰি) নহয় উত্তৰা! মই ধেমালি হে কৰিছোঁ। ক্ষত্ৰিয়ৰ তিৰোতাই নিজ স্বামীক পিন্ধাই উৰাই যুদ্ধলৈ পঠিয়াই দিয়ে। তুমি দেখোন ভয় কৰিছা?

উত্তৰা। কোনে কৈছে মই ভয় কৰিছোঁ বুলি। ময়ো পঠিয়াম আপোনাক পিন্ধাই-উৰাই, পিছে যুদ্ধত জয় লাভ কৰিবলৈহে দেই।

অভি। জয় কৰিবৰ আশাতহে সকলোৱে যুদ্ধলৈ যায় উত্তৰা? পিছে পিতামহ ভীষ্মই যি পৰাক্ৰম দেখুৱাইছে তাৰে চাই যুদ্ধ জয় কৰা অসম্ভৱ যেন দেখিছোঁ। কালি নিশা পিতামহে পাঁচ পাণ্ডৱক বধ কৰিবলৈ পাঁচপাত শৰ বাছি থৈছিল। যদুপতিৰ বুদ্ধিত যেনিবা পিতাই শৰ কিপাত আনিলে।

উত্তৰা। কৃষ্ণ নোহোৱা হলে আমাৰ কি হল হেঁতেন?

অভি। ধোৱা বাতি পিতামহে বাছি থোৱা শৰেবে পৃথিবী শূন্য কৰিলে হেঁতেন।

উত্তৰা। পিতাৰ যেতিয়া নাৰায়ণ বথৰ সাৰথি আমাৰ কি ভয়, নহয় নে?

অভি। হবও পাৰে নহবও পাৰে উত্তৰা! তেওঁৰ মহিমা কোনে বুজ পায়? পিতামহে ধহদিন যুদ্ধৰ প্ৰতিজ্ঞা কৰিছে। এই আঠ দিনতে আমাৰ সৈন্য ইমানবোৰ কমিল, এই কি দিনত বা কি হয়?

উত্তৰা। বাস্তুদেৱে কিবা এটা উপায় কৰিব।

অভি। কথা পাতি থাকিবৰ সময় নাই উত্তৰা! যুদ্ধ আৰম্ভৰ সময় হল। বলা যাওঁ।

উত্তৰা। বলক। আপুনি কিন্তু যুদ্ধত লাগি এইফালে নাপাহৰিব।

অভি। নাপাহৰোঁ উত্তৰা! তোমালৈ কেনেকৈ পাহৰিম?

[উভয়ৰ প্ৰস্থান

—ক্ৰমশঃ

অসমৰ পুৰণি ৰৰতোপ

(দ্বিতীয় প্ৰবন্ধ)

—শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী

অসমৰ পুৰণি ৰৰতোপ সম্বন্ধে লিখকৰ 'তন্ত্ৰ আৰু তথ্য' কিতাপত আৰু কাপকাপ অনুসন্ধান সমিতিৰ ১৯২০ চনৰ বছেৰেকীয়া বিপোৰ্টত বিশদ আলোচনা কৰা আছে। সেই প্ৰৱন্ধত আগেয়ে যিবোৰ ৰৰতোপৰ কথা উল্লেখ হোৱা নাই আৰু যিবোৰ এতিয়া নতুনকৈ আবিষ্কৃত হৈছে, সেইবোৰৰ বিৱৰণ আৰু গাত লিখা ঐতিহাসিক লিপি-বোৰৰ পাঠে সৈতে এই দ্বিতীয় প্ৰৱন্ধৰ অবতাৰণা কৰা হ'ল।

শিৱসাগৰৰ কাছাৰী-ঘৰৰ সম্মুখত আঠোটা ৰৰতোপ আছে। তাৰে এটা ৰৰ ডাঙৰ। তিনিটাৰ গাত লিখা আছে। ৰৰ ডাঙৰটোৰ গাত সোণ খটোৱা আছে। অসমত আবিষ্কৃত ৰৰতোপবোৰৰ ভিতৰত এইটোৱেই আটাইতকৈ ডাঙৰ। লাহোৰ নগৰত ঝমঝম্ নামেৰে ইয়াতোকৈ এটা ডাঙৰ ৰৰতোপ আছে। কিন্তু দীঘলে শিৱসাগৰৰটোৰ সমানেই হব। ঢাকাত যিটো ডাঙৰ ৰৰতোপ আছে সেইটো কিন্তু শিৱসাগৰৰ ডাঙৰ ৰৰতোপটোতকৈ সৰু। প্ৰকাশ কৰা প্ৰতিকৃতিখনে এই ৰৰতোপবোৰৰ অৱয়ব আৰু আকাৰৰ সাক্ষী দিব।

এই ৰৰতোপবোৰৰ তিনিটাৰ গাত তিনিখন লিপি আছে। ইয়াৰ আখৰবোৰ পুৰণি অসমীয়া, কিন্তু ভাষা সংস্কৃত। লিপিৰ পাঠ—

১। শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ গদাধৰ সিংহ মহা-ৰাজাধিৰাজ চৰণামল কমল সেৱক শ্ৰীযুত গৰগঞা সন্দিকৈ ৰৰফুকনেন নিৰ্ম্মিতম্ শাকে ১৬১৬।

২। শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ সৌমাৰেশ্বৰ উদয়া-দিত্য সিংহস্য শাকে ১৬৯৩

৩। শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ দেৱ গদাধৰ সিংহ মহা-ৰাজাধিৰাজ চৰণামল কমল সেৱক শ্ৰীযুত গৰগঞা সন্দিকৈ ৰড়ফুকনেন নিৰ্ম্মিতং ১৬১৮।

সদিয়াত ৰেৱাংনৈত মাছ মাৰোতে চৌধোৱা গাৱঁৰ থামটিবিলাকে এটা কাঁহৰ ৰৰতোপ পাইছে। সেই ৰৰ-তোপ সদিয়াৰ পলিটিকেল অফিচাৰ চাহাবৰ অনুগ্ৰহত অনুসন্ধান সমিতি গৃহত ৰক্ষিত হৈছে। তাৰ গাত এইদৰে লিখা আছে—

শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ দেৱ সৌমাৰেশ্বৰ গদাধৰ সিংহেন যবনং জিত্বা গুৱাকহট্টমিদং যন্ত্ৰং প্ৰাপ্তম্ শাকে ১৬০৪।

সদিয়াত আৰু এটা কাঁহৰ ৰৰতোপ আছে। এই ৰৰ-তোপটোৰ মুখ বাঘৰ আকৃতিৰ। ইয়াৰ গাত ৰৰতোপটোৰ ইমুৰৰ পৰা সিমুৰলৈ এখন পাৰস্য-ভাষাত ফুল-ৰঙা আখৰেৰে লিখা ফলি আছে। ফলিত আদিল চাহ নাম লিখা আছে। আমি প্ৰাচীন সম্পদ সংগ্ৰহ কাৰ্য্যত যাওঁতে নিজে এই ৰৰতোপ দেখা পাই আহিছোঁ। অসম গভৰ্ণমেণ্টৰ হুকুম আছে যে এই ৰৰতোপটো সদিয়াতে ৰাখিব লাগে। সেইবাবে সমিতিৰ মিউজিয়মলৈ আনিব পৰা নহল। বৰ্ত্তমানে সেই ৰৰতোপটো পলিটিকেল অফিচাৰ চাহাবৰ ৰঙলাৰ তলত আছে। অসমৰ বিভিন্ন ঠাইত এনেকৈ বহুত ৰৰতোপ আছে। অসম বঞ্জাসকলৰ শাসন-প্ৰণালী এনে সুন্দৰ আছিল যে ৰৰতোপৰ নিচিনা আগেয় অস্ত্ৰসো ইতিহাসৰ সম্ভেদ লিখি থোৱা হৈছিল। আমাৰ ঐতিহাসিক প্ৰাচীন সম্পদে অসম যুৱজী কেতিয়া সজাগীন কৰিব ?

আৱাহন !



শিৱসাগৰৰ কাছাৰী ঘৰৰ আগত থকা ৰৰতোপ

লক্ষ্মীবিলাস প্ৰেছ, জিঞ্জিৰা, কলিকাতা।

দেশসেৱিকা

গল্প— —শ্ৰীযুত উমেশচন্দ্ৰ শইকীয়া

সেইদিনা সপ্তম সোমবাৰ।

দুবিচাকি আহি মেজৰ ওচৰতে বহি কিতাপ এখন মেলিলো। হঠাৎ ওলাল আগৰৱালাদেৱৰ

যিভাৱে দেখিবা এই সংসাৰ-ভাৱনা
সেইভাৱে গৰাসিব তোমাৰ জীৱন।
হিংসাদ্বেষ চকু দিলে পাবা হিংসাদ্বেষ
প্ৰেমবো দেখিবা তুমি মধুৰ মিলন।

সেই কথাফাকি মাত্ৰ পঢ়ি শেষ কৰিছো এনেতে হেম মোৰ বিছনাখনতে বহিলহি। কিতাপখন বন্ধ কৰি তেওঁৰ মুখৰ ফালে চালো। তেওঁ কলে—"আজি ঘৰৰপৰা চিঠি পাইছোঁ, মাথনৰ দদায়েক চুকাল; আজি সাত দিন।" কথাষাৰ শুনি মোৰ গা চিবিং কৰি উঠিল, মাথন মোৰ অন্তৰঙ্গ বন্ধু বুলিয়েই নে বা সেই মানুহ ঘৰৰ অৱস্থাটো মনত পৰিয়েই তাক মই ঠাৰৰাব নোৱাৰিলোঁ। সংসাৰৰ বাপজালত অশিক্ষিত সেই সৰু সৰু লৰাছোৱালী কেইটিৰ অৱস্থা আজি পানীত হাহ নচবা; সংসাৰৰ ঢৌহেঁচাত অপৈণত সেই গাভৰু মানুহজনীয়ে আজি এখন বিৰাট সংসাৰৰ কাৰ্য্যপদ্ধতিত কেনেকৈ আগুৱাব সেইবোৰ ভাবকে মনে মনে আলোচনা কৰি থাকোতে হেম বিছনাৰপৰা কেতিয়া উঠি গল মনকে কবা নাছিলো।

মোৰ লগত একেটা কোঠাতে থাকে দুজন সহপাঠী। আমি প্ৰায় তাহানি হাইস্কুলত পঢ়া কালবেপৰা সহপাঠী আৰু সহবাসী হৈ থকা বুলি কলেও অন্যায় নহয়। ঘৰো নিচেই চমুৱাচমি। মুদুৰ ঠাইতো একেলগে থাকিবলৈ পাই আমাৰ বেছ আনন্দ। হেমৰ কথাষাৰ শুনি বকৰাই মাত লগালে, "কি হল দাদা?" মই কলো—"এটা বেয়া সম্বাদ পাইছো দিয়ক।" সেই কথাতে সহবাসী দুজন সন্তুষ্ট নাথাকি মোৰপৰা গোটেই কাহিনীটো বিস্তৃতকণে শুনিহে এবিলে।

কথাত কথা বাঢ়ে। সেই ঘটনাৰ কথা শুনি মোৰ সহবাসীজনে কলে—"আজি ময়ো তেনে ধৰণৰে এটা কথা কওঁ শুনক।" মই আৰু গোহাঁইদেউ—মোৰ আনজন সহবাসী—শ্ৰোতা আৰু তেখেত বক্তা। তেখেতে অনৰ্গল-ভাৱে কৈ গৈছে—

"কনক আছিল মাকবাপেকৰ পেটমোচা লৰা। সংসাৰত সি কোন মাহেন্দ্ৰক্ষণত জন্মগ্ৰহণ কৰিছিল তাক কেৱল পৰম পিতাইহে জানে। সি গৰ্ভত থকা অৱস্থাতেই তাৰ বাপেকৰ আৰু দুটা ককায়েকৰ মৃত্যু। তাৰ জনমৰ মাহেকৰ মুখত তাৰ প্ৰসৱদায়িনী জননীৰ মৃত্যু। তাৰ জন্ম হোৱাত পণ্ডিত এজনে কৈছিল বোলে তাৰ জন্ম-লগ্নৰ যোগত পিতৃহা, মাতৃহা, ভ্ৰাতৃহা সকলোকে দেখিছিল, সেইবোৰ যোগৰ সন্ধিক্ষণতে সি ভূমিষ্ঠ হৈছিল।

"কনকৰ মাকৰ মৃত্যুৰ পিছত সেই পানীকৈয়া লৰাটিক পালন-পালন কৰি ডাঙৰ-দীঘল কৰিবলৈ কাকো অগ্ৰসৰ হোৱা দেখা নগল। কনকৰ দুজন দদায়েকেও ঘৰীয়েকহঁতৰ বকচনিত, খেচখেচনিত তাক আনিব নোৱাৰিলে—জানোবা সেই 'অমঙ্গলীয়া লৰাটি' চপাই ললে তেওঁলোকে সংসাৰত চিৰস্থায়ী হবলৈ সাজি লোৱা সংসাৰখনিত ঘুণে ধৰে। সেয়ে ভয়।

"কনকৰ জেঠায়েকে কনকৰ প্ৰতিপালনৰ ভাৰ গ্ৰহণ কৰিলে। ভনীয়েকৰ সন্তান যেতিয়া নিজৰ। তেজ ধুলে পথালিলে গুচে, মঙহ তো দুগুচে। কনক জেঠায়েকৰ আলমতে থাকি ডাঙৰ-দীঘল হল।

"ইফালে কনকৰ পৈতৃক সম্পত্তি যি আছিল, সকলোকে দদায়েকহঁতে সৰ্ব্বগ্ৰাহ্য কৰিলে। ঘাটমাউৰা,

হতভগীয়া, দুৰ্দ্দশাগ্ৰস্ত কনকৰ ফালে এধানিমানো ভাবি চাব পৰা শক্তি তেওঁলোকৰ বজ্ৰহৃদয়—পাষাণসদৃশ হৃদয়ত নহল। 'অমঙ্গলীয়া কনক' বুলি ভয় কৰি তাক চপাই ৰাখিব নোৱাৰিলে কিন্তু তাৰ বাপতিসাহোনফেৰি গ্ৰাহ কৰিবৰ কাৰণে সেই ভয়, সেই ভাব ক'ত তিৰোহিত হল!

"কনকক জেঠায়েকৰ পুতেকহঁতে ডাঙ্গৰ-দীঘল হলত ৪ পূৰা কপিত মাটিত তাৰ নামে নিগাজী কৰি পট্টা-পঢ়না লগাই দি ঘৰদুৱাৰ সাজি বিয়াবাৰু কৰাই দি তাক থাপিলে।

"মলাদৈ ৰূপহীগাৱঁৰ মঠৰামৰ জীয়েক। তায়ো ঘাটমাউৰী; সৰুতে মাকৰ মৃত্যু হৈছিল। তাই সৰুৰে পৰা মঠৰামৰ লগতে ডাঙ্গৰ-দীঘল হোৱা। মঠাই ডাল-ভিকহু। দুবেলা দুসাজি খাবলৈ ভৰালত ধান নাই, খেতিপথাৰ কৰিবলৈ গোহালিত গৰু নাই। এদিন মাগিবলৈ নগলেই মঠৰামৰ টেকেলিকাতি।

তেনে অৱস্থাৰেই আজি দহ-বাৰ বছৰ সি সেই মাউৰী ছোৱালী মলাদৈক বুকত সুমাই ডাঙ্গৰ-দীঘল কৰিছে। জকাই, খালৈ, পাচিখৰাহি সাজি দেওবৰীয়া হাটত বেচি সিহঁত দুয়োৰো ৰোজগাৰ উলিয়ায়।

"দয়াৰাম মলাৰ তালযুৰীয়া। সিহঁতৰ ঘৰৰ নিচেই কাষতে দয়াৰামহঁতৰ ঘৰ। দয়াৰামৰ মাকে মাউৰী মলাদৈক খুব মৰম কৰে। নানান দুখত, নানান কষ্টত, নানান অপায়-অমঙ্গলত দয়াৰামৰ মাকে মলাদৈক মৰম-চেনেহ, সহায় কৰে; তাক আনে নাজানিলেও মঠৰামৰ হিয়াত জ্বলন্ত। দয়াৰামৰ মাকে মলাদৈক যি পাৰে সৰুৰেপৰা বৰ-কাটিবলৈ শিকালে—দয়াৰামৰ লগত পাঠশালা স্কুলখনিলৈ অহাযোৱা কৰিবলৈ দি মলাদৈক তাৰ তৃতীয়মান শ্ৰেণীলৈকে পঢ়ুৱালে।

"মঠৰামৰ দিন মলাদৈৰ বয়স বঢ়াৰ লগে লগে অলপ অলপ কৰি পোহৰৰ ফালে আহিবলৈ ধৰিলে। যোৱাবাৰ সি নিজে এহাল গৰু কিনি খেতিপথাৰ কৰি মলাদৈৰেসৈতে সংসাৰখন চলাই আছে। কিন্তু মঠৰামৰ সেই দিনৰ অন্ত হল যিদিনা কনকে নিশা লগত মানুহ-দুনুহ লৈ দৰাৰ বেশেৰে গৈ মলাদৈক অপহৰণ কৰি লৈ আহিল। জীয়েকৰ বিয়াত মঠৰামৰ হিয়া উদং হৈ গল। তাৰ কেইমাহমানৰ পিছত মঠৰাম তীৰ্থভ্ৰমণ কৰিবলৈ গৈ আৰু ঘূৰি নাহিল।

"দুখীয়াক দুখে নেৰে। কনকে কিমান আশা, কিমান ভৰসা, কিমান কল্পনা, কিমান কামনা কৰি সংসাৰখনি প্ৰতিষ্ঠা কৰি লৈছিল। কিমান উল্লাহেৰে নবযৌৱনৰ আলহী স্বৰূপে মলাদৈক সম্বৰ্দ্ধনা কৰি সম্ভাষণ জনাইছিল, তাৰ সকলোৰে মূলত বজ্ৰাঘাত! কনকৰ কিবা এটা অচিন বেমাৰ হ'ল। খাব নোৱাৰে, শুব নোৱাৰে—ৰদত বাহিৰলৈ ওলাব নোৱাৰে। এবছৰ নহয়, দুবছৰ নহয়, চাৰি বছৰ কাল সি সেই বেমাৰ ভুগিলে। সেই বেমাৰেই তাক তাৰ জীৱনৰ চৰম সীমাত উপনীত কৰালে।

"কনকৰ জীৱন-অভিনয়ৰ যৱনিকা চমু চাপিছে। সি দগ্ধ হৃদয়ৰ তপত চকুলোৰে সেইদিনা মলাদৈক ওচৰলৈ মাতি আনি কলে, মলা! তোমাক মই এদিনলৈও সুখী কৰিব নোৱাৰিলো। মোক ক্ষমা কৰিবা মলা! যদি ইচ্ছা আছে মোৰ মৃত্যুৰ পিছত কাৰবাক বিয়া কৰাবা। মই মৰণৰ সিপাৰৰপৰা তোমাৰ সুখ, তোমাৰ শান্তি, তোমাৰ আনন্দ দেখিলে কিছু শান্তি পাম। যদি তেনে কৰিবৰ ইচ্ছা নাই, নিজে ভাবি চাবা, ইয়াতেই মহাসতী জয়মতীৰ জনম হৈছিল, ইয়াতেই ফুলেশ্বৰী কুঁৱৰীৰো জন্ম হৈছিল। মলা! মোৰ বেছি সময় নাই—পাৰা নিজৰ দেশৰ কিবা ভাল কৰিবা; পাপত লিপ্ত নহবা, ৰত নহবা।" কথা শুনি মলাদৈৰ দুগালেদি নয়নৰ নীৰৰ প্ৰবল প্ৰবাহ ববলৈ ধৰিলে আৰু সেই প্ৰবাহ চিৰ-প্ৰবাহত পৰিণত হ'ল—পিছ মুহূৰ্ত্ততে কনকৰ মানৱলীলাৰ যৱনিকা পৰিল।

"মলাদৈ কনকৰ জেঠায়েকৰ ঘৰলৈ গুচি আহিল। আমাৰ ঘৰৰ ওচৰতে ঘৰ। মলাদৈক মই সৰুৰেপৰাই চিনি পাওঁ। কেতিয়াবা তাইক বাটে-ঘাটে দেখিলে তাইৰ জীৱনৰ বেদনাবিজড়িত বুৰঞ্জীৰ অধ্যায়বোৰ মোৰ মনত উজলি উঠে। মই ভাবোঁ মানুহৰ জীৱন।

"সেইবাৰ মই ঘৰত। মই ঘৰত থকা শুনি মলাদৈ মোৰ ওচৰ পালেহি। আগৰ দৰে মলাদৈক মুকলিমূৰীয়া যদিও দেখিলো তাই গহীন—যেন কিবা ভাবত মন অনুপ্ৰাণিত। কিছু সময় কথা-বাৰ্ত্তা হোৱাৰ পিছত বুজিব পাৰিলোঁ মলাদৈয়ে তাইৰ জীৱনৰ দুখৰ কাহিনী বৰ্ণনা কৰি এখন তাইৰ 'আত্মচৰিত' লিখিছে। মই তাৰ কেইখিলামান পাত লুটিয়াই চাই দেখিলোঁ যেন মলাদৈৰ সকলো ভাব তাত পৰিস্ফুট। ভাষাত অপৰিপক্ক বা ব্যুৎপত্তি নথকাৰ কাৰণে কিছু কিছু কথাত তাইৰ আবেগভৰা ভাববোৰ ফুটি উঠা নাই—তথাপি যেন ভাবত বুকু ফাটে, লাজত কথা নোলায়। তাইৰ শেষ অনুৰোধ, মই হেনো চাই-চিতি সেই আত্মচৰিতখন পোহৰলৈ আনিব লাগিব। কথা শুনি মই কলো, "মলা! সেইখন প্ৰকাশ কৰিলে তোমাৰ তাত লাভ কি হ'ব?" উত্তৰ দিলে বিনয়েৰে "আপুনি সহায় কৰিলে মোৰ দুখৰ জীৱন-কাহিনী পঢ়ি মোৰে নিচিনা দগ্ধহৃদয়া হতভাগিনীহঁতৰ বুকুৰ ব্যথাৰ উপশম হ'ব পাৰে সেয়ে মোৰ উদ্দেশ্য।" "বাৰু তুমি লিখা, মই চাম।" বুলি কথা দিলো।"

এই বুলি কৈ বক্তা সহবাসীজনে তেখেতৰ 'চুটকেচটো' মেলি চিঠি এখনৰ খাম এটা আগবঢ়াই সকলোৱে শুনাকৈ মোক পঢ়িবলৈ অনুৰোধ কৰিলে। মই পঢ়িছো, তেখেতে আৰু গোঁহাইদেৱে শুনিছে।—

"পূজ্যতমেষু,

আপোনাক আজিও কিছু কাৰ্য্য-কাৰণত আবদ্ধ হৈ আমনি কৰিব লগীয়াত পৰিছো; আশাকৰো দুখিনীক ক্ষমা কৰিব। আপোনাক কোৱা মনত পৰে জীৱনত মই সুখ এদিনলৈকো নাপালো—আৰু তাৰ কাৰণে হাবাথুৰি খাই ফুৰিবৰ প্ৰবৃত্তিও নাই!

কিন্তু আজি এটা মই নতুন সুখৰ আলোক দেখা পাইছো। সি মোৰ নিমিত্তে এক স্বৰ্গীয় সুখ বুলি অনুমান হৈছে। সিদিনা ভাৰতীয় জাতীয় মহাসভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিত মহিলা দেশসেৱিকাৰ একান্ত প্ৰয়োজন বুলি প্ৰস্তাব ঘোষণা কৰাৰ লগে লগে, তাহানি বৃন্দাবনত কৃষ্ণৰ বাঁহীৰ সুৰ শুনি গোপীসকল কৃষ্ণ-প্ৰেমানুৰাগত মতলীয়া হৈ উন্মাদিনীবেশে সকলোকে এদতীয়া কৰি থৈ বৃন্দাবনলৈ যেনেকৈ লৰিব লাগিছিল, সেইদৰে আজি দেশমাতৃৰ আহ্বানত ভাৰতৰ ৰমণীকুল ধাবমান। আজি ভাৰতৰ মাতৃজাতিয়ে চন্দন বুলি বিষবৃক্ষত আকোৱালি ধৰি থাকিবলৈ ৰাজী নহয়—মাতৃযজ্ঞৰ আহুতি দিবলৈ অগ্ৰসৰ। আজি ভাৰতীয় ৰমণীৰ উদ্দেশ্য, ভাৰতীয় ৰমণীৰ লক্ষ্য, ভাৰতীয় ৰমণীৰ কৰ্ত্তব্যৰ অনুসূচনা মহান। সেই মহান লক্ষ্যৰ কাৰণে আজি জগতত ভাৰত ৰমণীয়ে এক মহান্ ত্যাগৰ বিজয়-পতাকা উৰুৱাব খুজিছে। সেই কাৰণে অসমৰ নাৰীসঙ্ঘৰ সকলো ৰমণীয়ে সেই অনুপ্ৰেৰণাত অনুপ্ৰাণিত হৈ দেশসেৱাত প্ৰবৃত্ত হৈছে। এই অভাগিনীৰ মূৰত কৰ্ত্তব্যৰ বিৰাট বোজা—সঙ্ঘৰ পৰিচালনা আদি সকলো মোৰ গাতেই পৰিছে। যদি মাতৃপূজাতে জীৱনৰ শেষ আহুতি দিব পাৰোঁ মই ধন্য, মোৰ জীৱন ধন্য! এই পূজাৰ বেদী যদি এই দুখুনীৰ আত্মত্যাগেৰে ৰঞ্জিত হয় (বোধ কৰো সি নিশ্চয় হ'ব) আপোনাৰ ওচৰত সৰল মিনতি, মোৰ 'আত্মকাহিনীখন' প্ৰকাশ কৰিব। মোৰ সেৱা গ্ৰহণ কৰিব। ইতি—

আপোনাৰ দাসী—

—মলা—"

চিঠিখন মই পঢ়ি খামত সুমাব খুজিছো মাত্ৰ তেনেতে গোহাঁইদেৱে প্ৰশ্ন কৰিলে, "পিছে আত্মকাহিনীখন প্ৰকাশ কৰিব নে নকৰে?" বৰুৱাই উত্তৰ দিলে "বাৰু দেখা যাওকচোন আন্দোলনৰ ধুমুহা কেনি বলে।" তেনেতে হাতত বাতৰি-কাকতখন লৈ হাজৰিকাই আহি কোঠাত সোমাই পঢ়ি দিলে, শ্ৰীযুত কস্তুৰীবাই গান্ধীৰ "এৰেষ্ট"। সকলোৱে কাকতত মনোনিবেশ কৰিলো।

———

অণু-পরিণামবাদ

(২)　　—শ্রীযুত চক্রপাণি দাস, বি-এছ-ছি

বায়ুমণ্ডলে আমার গাত্তো এইদবে প্রত্যেক বর্গইঞ্চ ঠাইতে এনে প্রভুত বলেবে হোঁ দি থাকে তেনেহলে আমি সেইটো অনুভব করিব নোরাবোঁ। কিয়? ইয়ার কারণ বিচারি বেছি দুবলৈ যাব লাগাগে। আমার শরীরর ভিতরতো বতাহ আছে; আৰু ভিতরৰ বতাহ আৰু বাহিরৰ বতাহৰ মাজত সদায় আশান প্রদান চলি আছে যার বাবে ভিতরৰ বতাহ আৰু বাহিরৰ বতাহৰ চাপ সদায় প্রায় একে সমানে থাকে। এইদবে যেতিয়া দুটা সমান অথচ বিকদ্ধ ভাবাপন্ন শক্তিয়ে কোনো এটা বস্তুৰ ওপরত আধিপত্য করি থাকে তেতিয়া বস্তুটোত্রে দুটা শক্তিৰ এটাবো অস্তিত্ব থবিব নোরাবে। কিন্তু যদি কিবা কারণত শক্তি দুটার এটাৰ অলপমান হীনদেঢ়ি

বাহ্যিক চাপ বনাম আন্তরিক চাপ

আমি ৩য় সংখ্যা আৱাহনত বাহিৰব চাপৰ উল্লেখ করি আহিছোঁহক। এতিয়া চোরা যাওক লাহিৰব চাপ বুলিলে কি বুজোঁহক। এডোখৰ কাঠৰ ওপরত এটা শিল তুলি থলে শিলটোরে কাঠডোখৰক হেচা মারি ধরি থাকে নাইবা চাপ দিয়ে। আমার হাতৰ তলুৱাত এটা গধুৰ বস্তু ললে বস্তুটোৰ ভৰৰ বাবে হাতৰ তলুৱাখনে তলৰ পিনে এটা শক্তি অনুভৱ করে। এইবিলাক বাহিৰ চাপৰ (External pressure) উদাহৰণ। এটা বিশেষ শক্তি আছে যি পৃথিবীৰ প্রায় সকলো বস্তুকে বাহিৰৰ পরা হেচা দি থাকে—সেইটো হৈছে বায়ুমণ্ডলৰ চাপ (atmospheric pressure)। পৃথিবীৰ ওপরত প্রায় ৪০ মাইললৈ বতাহ থকা বুলি বহুতে মত প্রকাশ করে। এটা বস্তুৰ ওপরত ৪০ মাইল ওখ বতাহৰ স্তম্ভ এটা কল্পনা করি লক; তেতিয়া হলে সূক্ষ্ম পদার্থ হলেও বতাহৰ চাপ যে তেনেই মরি পরা বিধৰ নহয়—তাৰ এটা ধারণা করিব পরা হব। হিচাপ করি দেখা গৈছে যে বতাহে আমি হাতত সাতসেরী দাগা এটা ললে দাগাটোরে যিমান জোৱেবে আমার হাতখন তললৈ হেচে, প্রায় সিমান জোৱেব বায়ুসাগরে বস্ত এটাৰ প্রত্যেক বর্গইঞ্চি পরিমাণ ঠাইত হেচা দি থাকে—অথচ বহুত দিনলৈ এই বিৰাট শক্তিটোৰ বিষয়ে মানুহে ভুকে পোরা নাছিল। টৰিচেলি (Toreceli) নামেবে পণ্ডিত এজনে প্রথমে বায়ুমণ্ডলৰ চাপ থকাটো যুক্তিতর্কেবে প্রমাণ করি দিয়ে।* যদি নমা করিলে নলীটোৰ বতাহখিনি বাহিৰলৈ ওলাই আহে আৰু সেইবাবে নলীটোৰ ভিতরত শূন্য ঠাইৰ সৃষ্টি হয়; আৰু প্রকৃতিয়ে শূন্যঠাই থকাটো পছন্দ নকরা বাবে তলপরা পানী ওপরলৈ উঠি আহি সেই শূন্যঠাই পূরণ করে। মন্তামতি গেলিলিওরে প্রথমে আবিষ্কার করে যে এইদবে পানী ওপরলৈ তুলি নিয়াৰ এটা সীমা আছে—কিয়নো ঠাইডোখৰ পানীৰ সাচপরা (level) ৩০ ফুটমানতকৈ বেছি ওখ হলে তাৰ এই উপায়ে পানী নিব নোরাৰি। এতেকে দেখা গ'ল যে প্রকৃতিয়ে শূন্য ঠাই ভাল নাপালেও কেতিয়াবা বপুরীয়ে চরুৱা আঘাতে শূন্য ঠাই দেখিও চুকলো টুকি বহি থাকিব লগা হয়। গেলিলিওরে কলে যে পানী ওপরলৈ উঠাৰ এইটো সীমিত কারণ নহয়—ইয়াৰ কারণ অইন কিবাহে। তাৰ পাছত টৰিচেলিয়ে এই বিষয়ে গবেষণা করিবলৈ লাগি গ'ল। বোধ হয় বহুতে জানে যে এটা পাত্রত থকা পানীত এটা গিলাচ জুৱুবিয়াই গিলাচটো পানীলে সম্পূর্ণকণে পুৰ করি গিলাচটোৰ মুখটো পানীৰ ওপরলৈ মুকুলাকৈ যদি তলিফন ওপরমুরা করি গিলাচটো ওপরলৈ তুলি অনা হয় তেনেহলে যেতিয়াটোলৈকে গিলাচটোৰ মুখটো পানীৰ তলত থাকে তেতিয়াটে গিলাচৰ তলিফন পানীৰ সাচপরা (level) বহুত ওপরলৈ উঠিলেও গিলাচৰ ভিতরৰ পরা পানীখিনি পরি নাযায়। এই উপায়ে পানী নাইবা অইন জুলীয়া বস্তু ওপরলৈ উঠাৰ কিবা সীমা আছে বে নাই পরীক্ষা করি চালে। পরীক্ষাৰ ফলত ঠিক হ'ল যে পারব এই উপায়ে ২৮।২৯ ইঞ্চিমান ওখ ঠাইলৈ নিব পারি আৰু পানী প্রায় ৩০ ফুটমান ওখলৈ অর্থাৎ পানীৰ করেবে বতাহ পাম্প, করি উলিয়াই নি যিমান ওপরলৈ নিব পারি ঠিক তিমান ওপরলৈ নিয়া সম্ভর হয়। আৰু যদি গিলাচটোৰ নাইবা চুঙাটোৰ তলিফন বেছি ওখ ঠাইত থাকে তেনেহলে পানী চুঙাটোৰ তলিবলা নামি আহি তলৰ পানীভকৈ সদায় ৩০ ফুটমান ওখ ঠাইত আহি থিতাপি হব। এইদবে ওপরৰ পরা পানী নামি অহা বাবে যি শূন্যঠাইৰ সৃষ্টি হয় তাকে টৰিচেলিয়ান্ ভেকুয়াম (Torecelian vacuum) অর্থাৎ টৰিচেলিৰ আবিষ্কৃত শূন্য ঠাই বোলা হয়। তলত দিয়া ছবিটোৰ পরা কথাটো পরিষ্কার হব। ক চিত্রত এটা গিলাচৰ পানী কেনেকৈ তললৈ পরি নোযোরাকৈ থাকিব পারি দেখুওরা হৈছে। খ চিত্রত টৰিচেলি আবিষ্কৃত শূন্য ঠাইবে সৈতে চুঙাৰ ভিতরৰ জুলীয়া বস্তুবিনি পাতটোত থকা জুলীয়া বস্তুৰ সাচতকৈ (level) কেনেকৈ ওপরত থাকে দেখুওরা হৈছে। গ চিত্রত পানীৰ করেবে বতাহ উলিয়াই নি কেনেকৈ পানী ওপরলৈ তুলি নিব পারি তাকে দেখুরা হৈছে।

উপরি উক্ত উদাহরণ কেইটাৰ প্রত্যেকেতে দেখা যায় যে যেতিয়া চুঙাটোৰ ভিতরত বতাহ নাথাকে তেতিয়াহে



ক



খ



গ

চুঙাটোৰ ভিতরৰ পানী বাহিৰৰ পানীতকৈ ওখ ঠাইত থাকিব পারে। টৰিচেলিয়ে ইয়ার পরা সিদ্ধান্ত করিলে যে আমার চাৰিওপিনে থকা বায়ু সাগৰৰ চাপ থকা ঘটে তেতিয়াহে গম পোরা যায়। মাজে মাজে আমার পরিপাকশক্তিৰ দোষ ঘটিলে আমার পেট ফিকি উঠে বাবেহে এইদবে পানী নাইবা অইন জুলীয়া বস্তু ওপরলৈ উঠি যোরাটো সম্ভরপৰ হয়। এটা পানীৰ কলৰ নলীটোৰ ভিতরটো সাধারণতে বতাহেবে পুৰ হৈ থাকে আৰু সেই বতাহে নলীটোৰ তলত থকা পানীখিনিক তললৈ হেচা দি থাকে। সেইদবে নলীটো যি পুথুরীত নাইবা নৈত লগোরা সেই পুথুরী নাইবা নৈৰ পানীৰ ওপরতো বায়ুমণ্ডলে অনবরত চাপ দি থাকে। এই দুয়োটা চাপ একে সমান হোরা বাবে নলীটোৰ ভিতরৰ আৰু বাহিৰৰ পানী একে ধরাতলত থাকে; কিন্তু যেতিয়া নলীটোৰ ভিতরৰ বতাহ কিছুমান পাম্প করি উলিয়াই অনা হয় তেতিয়া নলীটোৰ ভিতরত থকা বতাহৰ চাপ কমি যায় আৰু নলীটোৰ ভিতরেদি পানী ওপরলৈ উঠি যায়। এইদবে উঠি যোরা পানীৰ স্তম্ভটোৰ ভৰ আৰু ভিতরত থকা বতাহৰ চাপ যেতিয়া বাহিৰৰ বতাহৰ চাপৰ সমান হব তেতিয়া পানী আৰু ওপরলৈ নুঠে। এইদবে বতাহ উলিয়াই নি থাকিলে যেতিয়া নলীটোৰ ভিতরৰ বতাহ নাইকিয়া হব তেতিয়া ভিতরৰ পানীৰ স্তম্ভটোৰ ভৰ অকলে বাহিৰৰ বতাহৰ চাপৰ সমান হব। আৰু শূন্যঠাই থাকিলেও ইয়াতকৈ ওখ ঠাইলৈ যোরা অসম্ভর। এইবাবেই পানী ৩০ ফুটতকৈ বেছি ওখ ঠাইলৈ নিব নোরাৰি। এইবাবেই পাবলো চুঙাটোৰ তলিবলপরা নামি আহি ২৯।৩০ ইঞ্চি ওপরত থিতাপি হয়। অরশেষত প্রশ্ন উঠিব পারে যে বায়ুমণ্ডলৰ চাপৰ কারণ কি? এটা বস্তুৰ ওপরত অইন এটা বস্তু তুলি থলে তলত থকা বস্তুটোৰ গাত যি চাপ পরে, তাৰ যি কারণ বায়ুমণ্ডলৰ চাপবো কারণ সেয়ে—অর্থাৎ বতাহৰ ভৰ (অরশ্যে ইয়াক অইন এক উপায়েবেও বুজাব পারি যাব বিষয়ে পাছত কোরা হব।) আৰু আমি ইয়াত দেখিলোঁ যে পৃথিবীৰ ওপরত যিমান ওখ ঠাইলৈ বতাহ আছে সেই বতাহৰ স্তম্ভ এটাৰ ভৰ তেনেকুরা বেৰৰ পানীৰ প্রায় ৩০ ফুট ওখ স্তম্ভ এটাৰ নাইবা পাবদৰ ২৮।২৯ ফুট ওখস্তম্ভ এটাৰ ভৰৰ সমান।

* বহুত দিন আগৰপরাই মানুহে কলেবে পুথুরী নাইবা নদীৰ পানী ওপরলৈ তুলি আনি ওখ ঠাইত ব্যরহার করিব পরা কৌশলটো জানিছিল। এইদবে কলেবে পানী ওপরলৈ তুলি নিব পরাৰ কারণ এইদবে ব্যাখ্যা করা হৈছিল যে কলটো কেইবাৰমান উঠা

আৰু আমি উশাহ লওঁতে কষ্ট পাওঁ। ইয়াৰ কাৰণ হৈছে এই যে পৰিপাক শক্তিৰ দোষ ঘটিলে পেটৰ ভিতৰত একৰকম গেচ উৎপন্ন হয় আৰু সেই গেচটো বাহিৰলৈ ওলাই যাবলৈ বাট নাপাই পেটৰ ভিতৰতে জমা হৈ থাকে আৰু যিমানেই গেচটোৰ পৰিমাণ বেছি হৈ যায় তিমানেই পেটৰ ভিতৰৰ চাপো বেছি হৈ গৈ থাকে আৰু পেটৰ ভিতৰৰ বায়ুখিনিয়ে বুকৰ পিনেও হেচা দিব ধৰে। তেতিয়া পেটৰ ছালখন টন্‌টনীয়া হোৱাৰ উপৰিও উশাহ লোৱাত কষ্ট হয়। অনেক সময়ত মানুহে নিজৰ ক্ষমতা দেখুৱাবলৈ বুকত শিল তুলি ৰাখে। মানুহটোৱে শিলটো বুকত তোলাৰ আগতে উশাহৰ লগত যিমান পাৰে সিমান বতাহ ভিতৰলৈ লৈ যায় আৰু তাৰ পাছত বতাহখিনি বুকৰ ভিতৰত আটক কৰি ৰাখে। এনে কৰোঁতে ভিতৰৰ চাপ বাহিৰৰ চাপতকৈ বেছি হয় আৰু যদি বাহিৰৰ বতাহৰ হেচা আৰু শিলটোৰ ভৰ দুয়োটা লগ লাগি ভিতৰলৈ টানি নিয়া বতাহৰ চাপতকৈ বেছি নহয় তেনেহলে মানুহটোৰ গাত একো জোৰ নপৰে। এইবিলাক উদাহৰণৰ পৰা এইটোও প্ৰমাণ হয় যে যেতিয়া এটা বস্তুৰ স্থিতিস্থাপক অৱস্থা তেতিয়া তাৰ আন্তৰিক চাপ আৰু বাহ্যিক চাপ দুয়োটাই পৰস্পৰ সমান থাকে। আন্তৰিক চাপৰ কেবাটাও কাৰণ থাকিব পাৰে আৰু যিবিলাক শক্তিৰ পৰা সেই চাপবোৰ উৎপন্ন হয় সেই শক্তিবিলাক পৰস্পৰ বিৰুদ্ধভাবাপন্নও হব পাৰে ; যেনে, আমি আগৰ প্ৰবন্ধত দেখিছোঁ যে এটা বস্তুৰ অণুবিলাকৰ আকৰ্ষণী শক্তি আৰু গতিশক্তি দুয়োটা পৰস্পৰ বিৰুদ্ধভাবাপন্ন—এটাই বস্তুটোৰ আয়তন কমাব খোজে আৰু আনটোৱে আয়তন বঢ়াব খোজে। এইদৰে বাহ্যিক চাপৰো কেবাটাও কাৰণ থাকিব পাৰে ; কিন্তু সকলো অৱস্থাতে এইটো মনত ৰখা উচিত যে যেতিয়া এটা বস্তুৰ স্থিতিস্থাপক অৱস্থা তেতিয়া তাৰ আন্তৰিক চাপ আৰু তাৰ ওপৰত বাহ্যিক শক্তিৰ চাপৰ পৰিমাণ একে থাকে। আমি আগৰ প্ৰবন্ধত দেখি আহিছোঁ যে গোটাবস্তুৰ অণুবিলাকৰ গতিশক্তি আৰু আকৰ্ষণী শক্তি এই দুই আন্তৰিক শক্তিৰ তুলনাত বাহ্যিক চাপৰ প্ৰভাৱ তেনেই নগণ্য ; গতিকে আমি গোটাবস্তুৰ কথা ভাবোঁতে বাহ্যিক চাপৰ প্ৰভাৱটো লেখতে নধৰোঁ। কিন্তু আনপক্ষে আমি দেখি আহিছোঁ যে গেচৰ অণুবিলাকৰ পৰস্পৰৰ আকৰ্ষণী শক্তি নাই বুলিয়েই ধৰি লব পাৰি, গতিকে অণুবিলাকৰ গতিশক্তি আৰু বাহ্যিক চাপেই গেচটোৰ ভাগ্যনিৰ্ণয় কৰে আৰু সেইবাবেই এটা গেচৰ কথা কবলৈ হলে বাহ্যিক চাপৰ কথা কোনোৰকমে মনৰপৰা আঁতৰ কৰিব নোৱাৰি।

আৰু এটা কথা মন কৰিবলগীয়া যে বাহ্যিক চাপ নাইবা অন্তৰ্নিহিত শক্তিৰ যেই সেই এটা নাইবা দুয়োটাই পৰিবৰ্ত্তন হোৱা বাবেই জাগতিক পদাৰ্থনিচয়ৰ পৰিবৰ্ত্তন সাধিত হব ধৰিছে। এই দুটা শক্তিৰ পৰিবৰ্ত্তনেই বস্তুবিলাকৰ সৃষ্টি আৰু প্ৰলয়ৰ মূল। খেতিয়কে হাল বাই ধান উপাৰ্জ্জন কৰে, বাহ্যিক চাপ প্ৰয়োগ কৰি তাৰপৰা চাউল পিঠাগুড়ি প্ৰভৃতি তৈয়াৰ কৰা হয়। চাউলক আকৌ পানীৰ লগত মিহলাই জুইৰে তাপশক্তি প্ৰয়োগ কৰি ভাতত পৰিণত কৰা হয়। দেচলাইৰ কাঠীৰ মূৰত অলপমান বাখৰ ঘঁহা এটা মাৰিলেই বাখৰখিনিৰ ৰাসায়নিক পৰিবৰ্ত্তন হোৱা বাবে আমি জুই পাওঁ। চাকিটোত তেল আছে, শলিতা আছে ; অথচ শলিতাৰ মূৰত জুই লগাই নিদিলে নজ্বলে কিয়? আগতে তাৰ কি নাছিল আৰু জুইৰ কাঠীটো মুহূৰ্ত্তৰ বাবে শলিতাৰ মূৰত লগাই দিওঁতেই বা তাৰ কি নতুনত্বৰ স্ফুৰণ হ'ল? আগতেও তাৰ সকলো আছিল জুইৰ কাঠীটো লগাই দিওঁতে তেলৰ কেইটামান অণুৰ অন্তৰ্নিহিত শক্তি আগতকৈ অলপ বেছি হল এই মাত্ৰ—যাৰ বাবে সেই অণুকেটাই সিহঁতৰ স্থিতিস্থাপক অৱস্থা বজাই ৰাখিবলৈ অপাৰগ হ'ল আৰু তৎক্ষণাৎ অণুকেইটাৰ ৰাসায়নিক পৰিবৰ্ত্তন (chemical change) সংসাধিত হ'ল ; আৰু ৰাসায়নিক পৰিবৰ্ত্তনৰ ফলস্বৰূপে অণুবিলাকৰ পৰা কিছুমান শক্তি ওলাই আহিল যি শক্তিখিনিয়ে পোহৰ দিয়াৰ উপৰিও আকৌ কেইটামান অণুৰ ৰাসায়নিক পৰিবৰ্ত্তন আনয়ন কৰিলে। এইদৰে চাকিটো জ্বলিবলৈ ধৰিলে। বোমা এটাৰ ভিতৰত বাৰুদখিনি শান্তভাৱে

থাকে আৰু বাহিৰৰপৰা একো উত্তেজনা নাপালে কেতিয়াও উগ্ৰমূৰ্ত্তি ধাৰণ নকৰে ; কিন্তু যেই এটা খুন্দা মাৰি দিয়া হয় তৎক্ষণাৎ বাৰুদখিনিয়ে তাৰ বিশ্ববিধ্বংসকাৰী মূৰ্ত্তি ধাৰণ কৰি যেই পিনেই যায় সেইপিনেই প্ৰলয়ৰ ধুমুহা বোৱাই দিয়ে। এতেকে দেখা গ'ল পদাৰ্থনিচয়ৰ কি ৰাসায়নিক পৰিবৰ্ত্তন (chemical change), কি অৱস্থাৰ পৰিবৰ্ত্তন (physical change) যি কোনো ৰকমৰে পৰিবৰ্ত্তন নহক তাৰ মূলতে হয় বাহ্যিক চাপ নাইবা অন্তৰ্নিহিত শক্তিৰ পৰিবৰ্ত্তন আছেই আছে। অন্তৰ্নিহিত শক্তিৰ পৰিবৰ্ত্তন কৰিবলৈ হলে বাহিৰৰপৰা তাপশক্তি নাইবা বিদ্যুৎশক্তি নাইবা অইন কোনো ৰকমৰ শক্তি প্ৰয়োগ কৰিব নাইবা বস্তুটোৰ ভিতৰৰ পৰা উলিয়াই আনিব লাগে। আন্তৰিক শক্তিৰ ব্যতিক্ৰমৰ লগে লগে আন্তৰিক চাপৰ ব্যতিক্ৰম হয়। সেইবাবে বাহিৰৰ চাপৰ লগত আন্তৰিক চাপৰ অসামঞ্জস্য সাধিত হয় গতিকে বস্তুটোৰ পৰিবৰ্ত্তন হয়। বাহ্যিক চাপৰ ব্যতিক্ৰম হলেও সেইদৰে পৰিবৰ্ত্তন সাধিত হয়।

গেচৰ চাপ

বাষ্পৰ বিষয়ে কিবা কথা উঠিলে তাৰ চাপৰ ধাৰণা এটা থকা অপৰিহাৰ্য্য বুলি আগেয়ে কৈ অহা হৈছে। এতিয়া চোৱা যাওক বাষ্পই কেনেকৈ তাক বন্দী কৰি থোৱা সজাৰ বেৰত চাপ দিয়ে। ধৰি লক এটা চুঙ্গাত কিছুমান বতাহ নাইবা অইন কোনো গেছ আছে আৰু চুঙ্গাটোৰ ওপৰৰ পিনে এটা বতাহ চলাচল কৰিব নোৱাৰা অথচ চুঙ্গাটোৰ গাৰে অবাধে ওপৰলৈ নাইবা তলপিনে পিছলি যাব পৰা পিষ্টন্ (Piston) আছে। পিষ্টনটো কিন্তু নিজৰ ভৰত আৰু বতাহৰ চাপৰ বাবে চুঙ্গাটোৰ তললৈ পৰি নাযাই ওপৰতে ভাহি থাকে ;—তাৰ কাৰণ চুঙ্গাটোৰ ভিতৰত থকা গেচখিনিৰ চাপ। আৰু যিহেতু বায়ুমণ্ডলৰ চাপ আৰু পিষ্টনটোৰ ভৰ দুয়োটাই তলৰ পিনে প্ৰযুক্ত হৈছে, সেইবাবে ভিতৰত থকা গেচখিনিৰ চাপ নিশ্চয় ওপৰৰ পিনে প্ৰযুক্ত হব লাগিব আৰু যেতিয়া পিষ্টনটো লৰচৰ নোহোৱাকৈ থাকে তেতিয়া বুজিব লাগিব যে ভিতৰত থকা বতাহৰ চাপৰ প্ৰভাৱটো পিষ্টনটোৰ ভৰ আৰু বায়ুমণ্ডলৰ চাপৰ প্ৰভাৱৰ সমষ্টিৰ সমান হব। বয়ল্‌চ ল' (Boyles Law), চাৰ্লচ ল' (Charles Law) প্ৰভৃতি গেচবিলাকৰ সাধাৰণ ব্যৱহাৰ ব্যাখ্যা কৰিবলৈ গেচবিলাকৰ অণুবিলাকৰ পৰস্পৰৰ মাজৰ ব্যৱধান ইমান বেছি বুলি কল্পনা কৰা হৈছে। গেচ এটাৰ আয়তন তাৰ অণু-বিলাকৰ মাজৰ ব্যৱধানৰ সমান বুলি ধৰি লব পাৰি আৰু সেই একে কাৰণেই গেচৰ অণুবিলাকৰ মাজত আকৰ্ষণী শক্তিৰ প্ৰভাৱ নাই বুলি ধৰি লব পাৰি যাৰ বাবে গেচটোৰ অণুবিলাকে সিহঁতে থকা ঠাইডোখৰৰ ভিতৰত অবাধে বিচৰণ কৰি ফুৰিব পাৰে আৰু যাৰ বাবে সকলো গেচেই একে নিয়মকে অনুসৰণ কৰি ফুৰে ইত্যাদি



কথা আগৰ প্ৰবন্ধত কৈ আহিছোঁ। লগতে আৰু এটা কথা ধৰি লোৱা হৈছে যে গেচৰ অণুবিলাক ইফালে সিফালে লৰি ধাপৰি থাকোঁতে গেচখিনি যি পাত্ৰৰ ভিতৰত থাকে সেই পাত্ৰৰ বেৰত খুন্দা খোৱা বাবেহে পাত্ৰটোৰ বেৰত গেচৰ চাপ পৰে। এতিয়া চোৱা যাওক চুঙ্গাটোৰ ভিতৰত থকা গেচৰ অণুবোৰে কি উপায়ে পিষ্টনটো ওপৰলৈ ঠেলিব পাৰে। গেচৰ অণু এটাই ফুৰি থাকোঁতে থাকোঁতে এসময়ত তলৰপৰা ওপৰৰ পিনে আহি পিষ্টন্‌টোৰ গাত খুন্দা খাই আকৌ তলৰ পিনে ঘূৰি যায়। নিউটনৰ গতি বিধানৰ প্ৰথম সূত্ৰমতে (আমি আগেয়ে কৈ আহিছোঁ) যেতিয়া এটা বস্তুৰ গতি পৰিবৰ্ত্তন হয় তেতিয়া সি কিবা শক্তিৰ প্ৰভাৱত পৰিছে বুলি বুজিব লাগিব। ইয়াৰ অণুটো ওপৰৰ পিনে আহি আছিল, কিন্তু পিষ্টন্‌টোৰ গাত খুন্দা খালতে তাৰ গতি পৰিবৰ্ত্তন হৈ সি তলমূৰা হল ; গতিকে বুজিব লাগিব বেৰখনে অণুটোক তলৰ পিনে ঠেলি

দিয়ে। এনে কৰোঁতে নিউটন চাহাবৰ ক্ৰিয়া আৰু প্ৰক্ৰিয়াৰ (action and reaction) বিধানমতে * অনুটোৱে পিষ্টনৰ বেৰখন ঠিক একে পৰিমাণ জোৰেৰে ওপৰৰ পিনে ঠেলি দিয়ে।

এইটো ধাৰণা তেনেই স্বাভাৱিক—আমি যেতিয়া এটা থিয় হৈ থকা বস্তুৰ পিনে এটা দলি মাৰি পঠিয়াওঁ, দলিটোৱে বস্তুটোৰ গাত খুন্দা খাই ওলোটাপিনে উফৰি আহে আৰু বস্তুটো দলিটো যিপিনে উফৰি আহে তাৰ ওলোটাপিনে পৰি যায় নতুবা তাৰ থকা ঠাইতে জিকাৰ খাই উঠে। সেইদৰে এটা মানুহে এখন নাৱৰপৰা জাপ মাৰি পানীত পৰিলে নাওখনে মানুহটো যিপিনে পৰে তাৰ ওলোটাপিনে গতি কৰে; সেইদৰে বন্দুকৰ পৰা গুলিটো আৰু বাৰুদখিনি ওলাই যোৱাৰ পাছত বন্দুক-ধাৰীটোৱে গুলিটো যিপিনে যায় তাৰ ওলোটাপিনে ঠেলা এটা অনুভৱ কৰে। এতিয়া আমাৰ মূল বিষয়লৈ ঘূৰি অহা যাওক। সেইদৰে একে সময়ৰ ভিতৰতে অইন কিছুমান অণুৱেও ভিন্ ভিন্ ফালৰপৰা ভিন্ ভিন্ বেগেৰে আহি পিষ্টনটোৰ গাত আঘাত কৰি তলৰ ফালে ঘূৰি যায়। এইদৰে একে সময়ৰ ভিতৰতে প্ৰযুক্ত হোৱা আটাইবিলাক বলকে আমি এটা বলৰ সমান কৰি দেখুৱাব পাৰোঁ। এই বলটোকে সেই সকলো বলৰে সমষ্টিবল বোলা হয় আৰু যদিও অণুবিলাকে নানাফালৰপৰা ভিন্ ভিন্ বেগেৰে



আহি বিশৃঙ্খলভাৱে পিষ্টনৰ নানাঠাইত বলপ্ৰয়োগ কৰে তথাপি সিহঁতৰ সমষ্টি বলটো সদায় পিষ্টনটোৰ কেন্দ্ৰ ঠাইত লম্বভাৱে ওপৰৰ পিনে প্ৰযুক্ত হয়। তলত দিয়া চিত্ৰটোৰ-পৰা কথাখিনি বুজাত সহজ হব। ক চিত্ৰৰ অণুবিলাকে খেলিমেলিভাৱে প্ৰয়োগ কৰা বল আৰু খ চিত্ৰত আটাই-বিলাক বলৰে সমষ্টিবলটো দেখুওৱা হৈছে।

এই কথাখিনিকে এটা উপমা দি কব পাৰি। এডোখৰ ঘুৰণীয়া কাঠবাকলি তাৰ কেন্দ্ৰবিন্দুত এডাল কাঠীৰে ওপৰৰ পিনে ঢকা দি ৰাখিলেও নপৰাকৈ থাকে নাইবা যদি তাক শূন্যত ৰাখি তলৰ পিনৰপৰা কাঠবাকলি-টোৰ গালৈ নেৰানেপেৰাকৈ দলি পঠিয়াই থাকিব পাৰি আৰু যদি সেই দলিবোৰ এনেকুৱাভাৱে পঠিওৱা হয় যে এসময়ত যিবিলাক দলি কাঠবাকলিটোৰ গাত পৰে তাৰ সমষ্টিবলটো কাঠবাকলিডোখৰৰ ভৰৰ সমান হয় আৰু ওপৰৰ পিনে প্ৰযুক্ত হয় তেনেহলে কাঠবাকলিডোখৰ এনে ঠাইতে থাকিব। বাষ্পৰ চাপে এই দ্বিতীয় উপায়ে পিষ্টন্‌টো তলৰ পিনে নামিব নিদিয়াকৈ ৰাখে আৰু যেতিয়া বাষ্পটোৰ স্থিতিস্থাপক অৱস্থা অৰ্থাৎ যেতিয়া বাষ্পটোৰ তাপ আৰু চাপ একেভাৱে থাকে তেতিয়া পিষ্টন্‌টো লৰচৰ নোহোৱাকৈ একে ঠাইতে থাকে। †

† এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে যে বাষ্পটোৰ অণুবিলাকৰ এটা শৃঙ্খলাবদ্ধ ব্যৱস্থা নাই অথচ বাহ্যিক কাৰণৰ (তাপ আৰু চাপ) কোনো ব্যতিক্ৰম নহলে পিষ্টনটো একে ঠাইতে থাকে—এইটো কেনেকৈ সম্ভৱপৰ হয়? এইলেখিয়া অইন এটা বিষয়ৰ লগত তুলনা কৰিলে কথাটো বুজিবলৈ সহজ হব। সামাজিক অৰ্থনীতিত এখন চহৰ নাইবা ৰাজ্যৰ লোকসংখ্যাৰ হিচাপ ৰখা হয় আৰুলগে লগে জন্ম-মৃত্যুৰ হাৰ, বিয়াবাৰু নাইবা আত্ম- হত্যাৰ হাৰ প্ৰভৃতি কিছুমান ঘটনাৰো হিচাব ৰখা হয়। আৰু যদিও এটা বিপুল জনসমাজক লৈ (যাৰ প্ৰত্যেক-টোৱেই নিজৰ নিজৰ ব্যক্তিগত বিশেষত্ব থকাবাবে সমাজখনক মুঠতে শৃঙ্খলাবিহীন বুলিব পাৰি) এই হিচাপ নিকাচ তথাপি একো একো শ্ৰেণীৰ ঘটনাবোৰৰ ভিতৰত কিবা নিয়ম বিচাৰি উলিয়াব পাৰি নে নোৱাৰি সেই বিষয়ে মানুহৰ চেষ্টাৰ ত্ৰুটী নহয়। আৰু আশ্চৰ্য্যৰ বিষয় এয়ে যে এনেকুৱা অনেক ঘটনা পৰীক্ষা কৰি দেখা গৈছে যে যেতিয়া

* Action and reaction are equal and opposite.

ভাপৰ চাপ

আমি আগৰ সংখ্যাত কৈ আহিছোঁ যে প্ৰায় সকলো জুলীয়া বস্তুৰে আৰু এনেকি দুই এটা গোটা বস্তুৰো ভাপ ওলোৱা দেখা যায়। আৰু একোটা নিৰ্দ্দিষ্ট তাপৰ বাবে বেলেগ বেলেগ বস্তুৰ বেলেগ বেলেগ পৰিমাণ ভাপৰ চাপ (vapour pressure) আছে। এতিয়া দেখা যাওক ভাপৰ চাপ বুলিলে আমি কি বুজোহঁক।

আমি বহুত সংখ্যক ঘটনাক ব্যক্তিগতভাৱে আলোচনা নকৰি সমষ্টিগতভাৱে আলোচনা কৰোঁ। তেতিয়া ব্যক্তিগত ঘটনাবোৰৰ সংখ্যা যিমানেই বেছি হব সিহঁতৰ নিজ নিজ বিশেষত্বৰ প্ৰভাৱ তিমানেই ক্ষীণ হৈ যাব অৰ্থাৎ সুকীয়া ঘটনাবোৰৰ সমষ্টিটোৰ এনেকুৱা লক্ষণ প্ৰকাশ পাব যেন সেইটো ব্যক্তিগত ঘটনাৱলীৰ সমষ্টি নহৈ নিজেই এটা স্বতন্ত্ৰ ঘটনা। এই নীতিটোকে Law of large number অৰ্থাৎ বিপুল সংখ্যাৰ বিধি বোলা হয় আৰু এই নীতিটোৱেই গৰপাট্টা বিষয়ক সকলো গবেষণাৰ মূলতে। বস্তুবিজ্ঞানমতে অনেক সময়ত একে সময়ত ঘটা অলেখ 'খাম-খেয়ালী' ঘটনাৰ সমষ্টিগতভাৱে আলোচনা কৰিব লগীয়া হয় কিন্তু সকলোবোৰতে এই খেলিমেলি ঘটনাবোৰৰ পৰাই নিয়ম আবিষ্কৃত হয়। বৈজ্ঞানিক ছাৰ ছি, ভি, ৰমনৰ ভাষাত কব গলে "Nature is a game of chance and out of chaos and disorder we discover regurity and establish laws" অৰ্থাৎ প্ৰকৃতি খেলিমেলি ঘটনাৱলীৰ লীলাভূমি আৰু আমি সেই বিশৃঙ্খলতাৰ মাজৰপৰা অনিয়তিৰ পঙ্কোদ্ধাৰ কৰি ধাৰাবাহিকত্ব আবিষ্কাৰ কৰোঁ আৰু সেই ঘটনাৱলী সম্বন্ধে নিয়ম বান্ধি দিওঁ।

এতিয়া উদাহৰণলৈ অহা যাওক। ধৰি লক এখন নগৰীত এক কৌটি মানুহ আছে আৰু ধৰি লক এটা মাহৰ মৃত্যুসংখ্যাৰপৰা সাপ্তাহিক মৃত্যুসংখ্যাৰ হাৰ উলিয়াই পোৱা গৈছে যে সপ্তাহে প্ৰতি গৰ হিচাপে ৫০০০ কৈ মানুহ মৰে। কিন্তু যদিও ৫০০০ সংখ্যাটো গৰহিচাবে মানুহৰ মৰাৰ লেখ মাত্ৰ তথাপি মাহটোৰ কোনো এটা বিশেষ সপ্তাহত মৃত্যু সংখ্যা ৫০০০ ৰ বেছি ইফাল সিফাল নহব আৰু যদি কেবামাহ পাছৰ কোনো এটা সপ্তাহত এই হাৰৰ ধৰিব পৰাকৈ ব্যাতিক্ৰম দৃষ্ট হয় তেতিয়া তাৰ কিবা বাহ্যিক কাৰণ, যেনে—ঋতু পৰিবৰ্ত্তন, দুৰ্ভিক্ষ, মাৰি মৰকাদি—থকা বুলি ডাঠি কব পাৰি। আনফালে যদি চহৰখনত মুঠেই কেহাজাৰমান মানুহৰ বাস হয় আৰু যদি কোনো এটা পাৰদৰ Barometer * (বেৰোমিটাৰ) অৰ্থাৎ বতাহৰ চাপ জোখা যন্ত্ৰৰ নলীটোৰ তলত এটা নিচেই অকণমান পানীৰ টোপা নি এৰি দিলে টোপাটো পাৰদত ওপঙা বাবে পাৰদৰ ওপৰলৈ উঠি গৈ ওপৰত থকা শূন্যঠাই (Torecelian vacuum) পাবগৈ আৰু লাহে লাহে পাৰদৰ স্তম্ভটো অলপমান নামি আহিব; তাৰ পাছত আৰু এটা

এটা মাহৰ মৃত্যু সংখ্যাৰপৰা হিচাব কৰি গৰহিচাবে সপ্তাহত ৪টাকৈ মানুহ মৰা পোৱা যায়, লগে লগে যদি সেই মাহৰে বেলেগ সপ্তাহবোৰৰ ভিন্ ভিন্‌ভাৱে মৃত্যু সংখ্যাৰ হিচাব ৰখা যায়—তেনেহলে দেখা যাব যে কোনোবা সপ্তাহত ৭জন মৰিছে,কোনোবা সপ্তাহত ৩ জন, কোনোবা সপ্তাহত আকৌ এজনো মৰাই নাই। ইয়াত ব্যক্তিগত ঘটনাবোৰৰ সংখ্যাল্পতা হেতুকে সিহঁতৰ সমষ্টিভাবত নিজ নিজ বিশেষত্বৰ প্ৰভাৱ বেছকৈ ফুটি উঠিছে। আৰু কোনো এটা সপ্তাহৰ মৃত্যুসংখ্যা গৰহিচাবে পোৱা মৃত্যুসংখ্যাৰ লগত নিমিলে বুলিয়ে তাৰ কিবা বাহ্যিক কাৰণ থকা বুলি অনুমান কৰিব গ'লে ভুল কৰা হব। ইয়াত 'বিৰাট সংখ্যাৰ নিয়ম' নাখাটে।

গেচৰ চাপৰ সম্বন্ধেও ওপৰত কৈ অহা 'বিৰাট সংখ্যাৰ নিয়ম'টো খাটে। একোটা চেকেণ্ডৰ এটা অতি ক্ষুদ্ৰ অংশ সময়ৰ ভিতৰতো লাখে লাখে অণু আহি পিষ্টনৰ বাৰত খুন্দা খায় আৰু সেই সময়ৰ ভিতৰত এক ফালৰ পৰা একে বেগেৰে অহা অণুৰ সংখ্যাই হয় তো হাজাৰ—হাজাৰ; গতিকে এই ক্ষুদ্ৰ মুহূৰ্ত্তবোৰত ঘটা ঘটনাবোৰৰ সমষ্টিফলটোৱেই ব্যক্তিগত ঘটনাবোৰৰ বিশেষত্বৰ ওপৰত নিৰ্ভৰ নকৰে। সেইবাবে পিষ্টনৰ গাত প্ৰযুক্ত হোৱা গেচৰ চাপটোৰ পৰিমাণ সদায় একে থকা বাবে পিষ্টনটো লৰচৰ নকৰাকৈ থাকে যদি আমাৰ এনেকুৱা শক্তি থাকিল হেঁতেন যে চেকেণ্ডৰ লক্ষভাগৰ এভাগ সময়ত ঘটা ক্ষুদ্ৰ ঘটনা এটাকো ইন্দ্ৰিয়েৰে গ্ৰাহ্য কৰিব পাৰিলো হেঁতেন তেনেহলে হয় তো আমি অন্য ৰকম দেখিলো হেঁতেন।

*এটা পাৰদ থকা পাত্ৰৰ ওপৰত এটা দীঘল নলী পাৰদেৰে পূৰ কৰি নলীটোৰ মুখটো বন্ধ কৰি মুখটো পাৰদৰ তলত গুজি দি তাৰ পাছত মুখৰপৰা ঢাকনীখন গুচাই দিলে পাৰদখিনি চুঙ্গাটোৰ তলিৰপৰা নামি আহি এঠাইত থিতাপি হব। এই যন্ত্ৰটোৱে মোটামুটি হিচাবে Barometer, কিয়নো আমি আগেয়ে দেখি আহিছোঁ যে চুঙ্গাটোৰ ভিতৰৰ পাৰদৰ স্তম্ভটোৱে বতাহৰ চাপ বুজায়।

অকণমান টোপা এবি দিলে পাবদব স্তম্ভটো আকৌ অলপ-মান নামিল ;—এইদবে গৈ থাকিলে শেহত গৈ পাবদ আৰু তললৈ নানামি একেঠাইতে থিতাপি হৈ থাকিব।



এই ছবিত পানী সুমাই দিয়াৰ আগতে পাবদব উপবিভাগ ক সমতলত আছিল। যথেষ্ট পৰিমাণ পানী সুমাই দিয়াৰ পাছত খ ধৰাতলত আহি থিতাপি হৈছে। এতিয়া কথাটো ফঁহিয়াই চোৱা যাওক। পাবদব ওপৰত থকা পানীবিনিব উপবিভাগব পৰা কিছুমান অণু সিহঁতৰ গতিশক্তিব গুণত অইন অণুবোবব পৰা বিচ্ছিন্ন হৈ ওপৰব শূন্য ঠাইলৈ গতি কবে। এইদবে উৎপন্ন হোৱা ভাপ অণুবোবে গেচব অণুব দবে যথেচ্ছাগতিবে বিচবণ কবি ফুবে। এইদবে ফুবি থাকোঁতে সদায় কিছুমান অণু ওপৰব পিনব পৰা তলব পিনে আহি পানীব উপবি ভাগত খুন্দা খায় আৰু সেই বাবে পানীব উপবি ভাগত চাপ দিয়ে আৰু লগে লগে খুন্দা খোৱা অণু কিছুমান ওপৰব পিনে উফবি নযেঁ লালিত মাখি বন্দী হোৱাদি পানীব অণুব লগত মিহলি হৈ যায় আৰু আকৌ জুলীয়া অৱস্থাবে নিজব জীৱনব বাটত বাটকুবি বাবলৈ ধবে। পানী যথেষ্ট পবিমাণে থাকিলে এটা নিৰ্দ্দিষ্ট সময়ত ওপবলৈ উঠি যোৱা পানীব অণুব সংখ্যা বাহ্যিক কোনো কাবণ নাথাকিলে একে থকা বুলি ধবি লব পাবি। কিন্তু প্ৰথম প্ৰথম বাষ্পব অণুব সংখ্যা কম থকা গতিকে চাপো কম হয় আৰু একে সময়ত মিমান পানীব অণু ভাপত পবিণত হয় তাতকৈ কম অণু তাপবপবা পানীত পবিণত হয়। গতিকে লাহে লাহে ওপবব ভাপব অণুব সংখ্যা বাঢ়ি যায় আৰু শেহত গৈ এনেকুৱা হয় যে এসময়ত মিমান পানীত অণু ভাপত পবিণত হয় সেই সময়তে ঠিক তিমান অণু ভাপবপবা পানীত পবিণত হয় আৰু তেতিয়া ওপবত থকা ভাপব অণুব সংখ্যাব লবচব নোহোৱাকৈ থাকে। গতিকে তেতিয়া চাপো লবচব নোহোৱাকৈ থাকে আৰু সেইবাবে পাবদ তললৈ নামিবলৈ এবি একে ঠাইতে থিতাপি হৈ থাকে। এই অৱস্থাত পানীব বাষ্পখিনিক Saturated vapour বোলা হয় আৰু আগতে পাবদব উপবিভাগ যি সমতলত আছিল আৰু পাবদব ওপবব শূন্যঠাইলৈ পানী পঠিয়াব পাছত যি সমতললৈ নামি আহি থিতাপি হল এই দুই ধবাতলব অর্থাৎ আমাব ছবিব ক আৰু খ ধবাতলব উচ্চতাব ব্যবধানকে সেই সময়ব পানীব ভাপব চাপ বোলা হয়।* কোনো এটা বস্তুব ভাপব চাপ সেই সময়ব তাপব ওপবত নির্ভব কবে আৰু মিমানে তাপ বেছি হয় বস্তুটোব ভাপব চাপো তিমানে বাঢ়ি যায়। যদি বেবোমিটাবত থকা পানীখিনি আৰু তাপখিনি গবম কবি পৈ থাকোঁ তেনেহলে পাবদব স্তম্ভটো তললৈ নামি থাকিব আৰু যেতিয়া গবম কবোঁতে কবোঁতে পানীখিনি উত্তলিব ধবিব তেতিয়া নলীটোব ভিতবব পাবদবিনি নামি গৈ পাত্রটোত থকা পাবদব লগত একে সমতলত থাকিব। ইয়াকে আৰু অইন উপায়ে এনেকৈ কোৱা

* সাধাৰণতে চাপ মিলিমিটাবেবে প্ৰকাশ কবা হয়। কিন্তু মিলিমিটাব বুলিলে এটা দৈর্ঘ্য (length) বুজায় আৰু চাপ বুলিলে এটা জোব (force) বুজায় ; তথাপিও চাপ মিলিমিটাবেবে বুজোৱাত আপত্তিব কাবণ একো নাই। কিয়নো আমি পাঁচ মিলিমিটাব চাপ বুলিলে পাঁচ মিলি-মিটাব দীঘল পাবদব স্তম্ভ এটাব ভবব সমান জোব এটা বুজোঁ। সেইদবে বতাহব চাপো মিলিমিটাবেবে প্ৰকাশ কবা হয় আৰু সাধাৰণতে বতাহব চাপ ৭৬০ মিলিমিটাব অর্থাৎ ২৮।২৯ ইঞ্চি।

হয় যে এটা জুলীয়া বস্তু তেতিয়া উত্তলে যেতিয়া জুলীয়া বস্তুটোব ভাপব চাপ বাহিবব বতাহব চাপব সমান হয়। *

বয়লচ্ ল'

এতিয়া আগত কৈ অহা অনুমানবোবব গোহৰত বয়লচ্ ল' অর্থাৎ বয়লচ চাহাবে আবিষ্কাব কবা গেচব নীতিটো পবীক্ষা পবি চোৱা যাওক। বয়লচব্ নীতিটো হৈছে এই যে তাপ একেবকমে থাকিলে গেচ এটাব নির্দ্দিষ্ট অংশ এটাব আয়তন চাপ বঢ়াব লগে লগে একে অনুপাতত কমি যায় অর্থাৎ এবাবত তাব দুমান চাপ থাকে অইন এবাবত তাব দুগুণ কবিলে আয়তন আগববাবব আধা হব ; সেইদবে চাপ আধা কবিলে আয়তন আগববাবব দুগুণ হব ইত্যাদি। নাইবা এনেকৈয়ো কব পাবি যে চাপ আৰু আয়তনব পুবণফল সদায় এটা নির্দ্দিষ্ট সংখ্যা হয়। আমি আগতে অনুমান কবি আহিছোঁ যে বাষ্প এটাব আয়তন তাব অণুবিলাকব মাজব ফাঁকব সমষ্টিব সমান। যেতিয়া বাষ্পটোব আয়তন কমাই আধা কবা হ'ল তেতিয়া তাব অণুবিলাকব মাজব ফাঁক গবপাট্টা হিচাবে আগববাবব আধা হ'ল। গতিকে আগববাবত ঠিক দুগুণ অণু থাকিব লগীয়া হ'ল। এইখিনিতে এটা অনুমান কবা হৈছে যে এটা গেচব তাপব কোনো পবিবর্ত্তন নহলে গেচটোব চাপ যিয়ে নহক কিয় অণুবিলাকব গতিশক্তিব গবপাট্টা হিচাপে কোনো লবচব নহয়। এইবাবে এটা নির্দ্দিষ্ট সময়ব ভিতবত আগববাবত যিমান অণুৱে আহি পিষ্টনটোব (১) গাত খুন্দা খাইছিল এইবাব তাব ঠিক দুগুণ অণুবে পিষ্টনটো খুন্দিয়াব আৰু সেই খুন্দাবোবব জোববো গবপাট্টা হিচাবে একো হীনডেচি নহব গতিকে এইবাব চাপ আগববাবব ঠিক দুগুণ হব আৰু সেইবাবে আয়তন আগববাবব আধা কবিব লাগিলে পিষ্টনটোব ওপবত গধুব বস্তু এটা তুলি দিব লাগিব যাতে গধুব বস্তুটোব ভব বতাহব চাপ আৰু পিষ্টনটোব ভব লগলাগি আগববাবব চাপব অর্থাৎ পিষ্টনব ভব আৰু বতাহব চাপব দুগুণ হয়। সেইদবে আয়তন তিনি ভাগব এভাগ কবিব লাগিলে চাপ তিনিগুণ কবিব লাগিব ইত্যাদি। এইবে বয়লচব নীতিটো ব্যাখ্যা কবিব পাবি।

চার্লচ ল'

বাষ্পব অইন এটা নিয়ম হৈছে চার্লচব নীতি। চার্লচ চাহাবে লক্ষ্য কবিলে যে যদি কোনো এটা বাষ্পব নির্দ্দিষ্ট অংশ এটাব তাপ বঢ়োৱা যায় তেনেহলে বাষ্পখিনিব আয়তন তাপ বঢ়াব লগে লগে বাঢ়িব আৰু কমাব লগে লগে কমিব। যদি এনেকুৱাই হয় তেনেহলে তাপ আৰু আয়তনব ভিতবত কিবা সম্বন্ধ আছে নে নাই তাকে পবীক্ষা কবি চার্লচ চাহাবে পালে যে যদি এটা গেচব নির্দ্দিষ্ট অংশ এটা লৈ তাব চাপ সদায় একেবকমে বখা যায় আৰু যদি সাধাবণ চেন্টিগ্রেড্ (centrigrade) স্কেলব ২৭০° ডিগ্রীব পবা আবম্ভ কবি এডাল তাপজোখা স্কেল কল্পনা কবা হয় আৰু এই নতুন স্কেলমতে গেচটোব তাপ জোখা হয় তেনেহলে প্রত্যেক বাবতে এই নতুন স্কেলত যিমান ডিগ্রী তাপ উঠে আৰু বাষ্পটোব যি আয়তন হয় ছয়োটাবে অনুপাত একে হয়। ধবি লওঁ এই নতুন স্কেলমতে (এই নতুন স্কেলডালক absolute scale বোলা হয়) যেতিয়া তাপ ০০০° ডিগ্রী অর্থাৎ চেন্টিগ্রেড্ স্কেলত (০০০—২৭৩)=২৭° তেতিয়া গেচখিনিব আয়তন ১০ ঘনফুট ; গতিকে চার্লচব নিয়মমতে যেতিয়া বাষ্পখিনিব তাপ absolute স্কেলত ৬০০° ডিগ্রী অর্থাৎ চেন্টিগ্রেড্ স্কেলত (৬০০—২৭৩)=৩২৭° ডিগ্রী বাষ্পখিনিব আয়তন ২০ ঘনফুট হব।

চার্লচব সূত্রটো হৈছে এই—চাপব পৰিমাণব লবচব নহলে এটা বাষ্পব এটা নির্দ্দিষ্ট অংশব আয়তন absolute scale মতে তাপ বাঢ়ি যোৱাব লগে লগে একে অনুপাতত বাঢ়ি যায়। †

* A substance boils when its pressure equals the pressure of the atmosphere it holds.

(১) বাষ্পব চাপ বোলা headingটো চাওক।

† Pressure remaining constant the volume of a given quantity of gas varies as the absolute temperature.

সকলো গেচৰ সাধাৰণ সূত্ৰ

আমাৰ প্ৰবন্ধৰ কলেবৰ বৃদ্ধি হৈ যোৱা বাবে চাৰ্লচৰ সূত্ৰটো বিশ্লেষণ কৰি চোৱাৰ পৰা বিৰত হলোঁ। চাৰ্লচ আৰু বয়ল্‌চ্‌ চাহাবৰ সূত্ৰটো একেলগ কৰি একেটা সূত্ৰ কৰি বহুৱাব পাৰি। এই নতুন নিয়মটো এনেকুৱা হয়—কোনো এটা গেচৰ এটা নিৰ্দ্দিষ্ট অংশৰ চাপ আৰু আয়তনৰ পূৰণফল গেচটোৰ absolute temperature অৰ লগত একে অনুপাতত বঢ়াটুটা হয়।

$$PV = RT$$

ইয়াত Pৰে pressure অৰ্থাৎ চাপ, Vৰে volume অৰ্থাৎ আয়তন আৰু Tৰে absolute temperature বুজোৱা হৈছে। Rটো এটা নিৰ্দ্দিষ্ট সংখ্যা (constant), আৰু ইয়াৰ পৰিমাণ গেচৰ অংশটোৰ ওপৰত নিৰ্ভৰ কৰে আৰু যেতিয়া গেচটোৰ এক gram moleculeঅৰ অংশ এটা লোৱা হয় তেতিয়া Rটোক universal gas constant বোলা হয়। আৰু এই যুক্ত নিয়মটোক universal gas Law অৰ্থাৎ সকলো গেচৰ সাধাৰণ বিধি বোলা হয়।

ভেন্‌-ডাৰ্‌ ওৱালচৰ সংশোধিত সূত্ৰ

এইদৰে পোৱা সকলো গেচৰ সাধাৰণ বিধিটো কিন্তু ওচৰাউচৰিকৈ খটা (approximate) নিয়মহে; কিয়নো ইয়াৰ মূল সূত্ৰ দুটা অৰ্থাৎ চাৰ্লচ ল' আৰু বয়ল্‌চ্‌ ল' যুক্তিৰে প্ৰমাণ কৰিবলৈ যাওঁতে দুটা কথা ধৰি লৈছিলো;—প্ৰথমতে আমি ধৰি লৈছিলোঁ যে বাষ্পৰ অণুবিলাক ইটোৱে সিটোৱে ইমান দূৰত থাকে যে সিহঁতৰ পৰস্পৰৰ প্ৰভাৱ একেবাৰে বাদ দিব পাৰি; আৰু যদিও মাজে মাজে সিহঁতৰ ইটোৰ সিটোৰ ভিতৰত collision অৰ্থাৎ ঠেকাঠেকি হয়, যেতিয়া সিহঁতৰ পৰস্পৰৰ ওপৰত পৰস্পৰৰ প্ৰভাৱ পৰে, তথাপি এটা অণুৱে অবাধ গতিৰে যিমান সময় অতিবাহিত কৰে তাৰ তুলনাত এইদৰে অইন অণুৰ প্ৰভাৱত অতিবাহিত কৰা সময়খিনি ইমান কম যে অইন অণুৰ প্ৰভাৱ তাৰ ওপৰত নথকা বুলিয়েই ধৰি লব পাৰোঁ।—দ্বিতীয়তে অণুবিলাকৰ নিজৰ নিজৰ আয়তন সিহঁতৰ পৰস্পৰৰ মাজৰ ব্যৱধানৰ তুলনাত ইমান কম যে গেচটোৰ আয়তনৰ কথা আলোচনা কৰোঁতে অণুবিলাকৰ আয়তনৰ সমষ্টিটো বাদ দি সিহঁতৰ মাজৰ ফাঁকবোৰৰ সমষ্টিকে গেচটোৰ আয়তন বুলি ধৰি লোৱা হৈছিল। মুঠতে যদিও গেচবিলাকৰ সম্পৰ্কে এই দুয়োটা অনুমানেই খাটে তথাপি বেছি accuracyৰ পিনে লক্ষ্য কৰিলে অণুবিলাকৰ পৰস্পৰৰ প্ৰভাৱ আৰু সিহঁতৰ ব্যক্তিগত আয়তনৰ সমষ্টিটো একেবাৰে বাদ দিব লগীয়া বিধৰ নহয় গতিকে এই দুই অনুমানৰ ওপৰত ভিত্তি কৰি পোৱা আইনটো এটা কাল্পনিক বায়বীয় পদাৰ্থহে (ideal gas); প্ৰকৃতপক্ষে খটা বুলি কব পাৰি আৰু যিমানেই গেচ এটাৰ আয়তন কমোৱা যায় তিমানেই তাৰ অণুবিলাক পৰস্পৰে ওচৰা-উচৰি হয় আৰু সিহঁতৰ ইটোৰ সিটোৰ মাজৰ collision অৰ্থাৎ ঠেকাঠেকি হোৱাৰ সংখ্যা বাঢ়ি যায় আৰু লগে লগে গেচখিনিৰ আয়তনৰ লগত তাৰ অণুবিলাকৰ আয়তনৰ সমষ্টিটো তুলনা কৰিব পৰা হৈ পৰে; গতিকে সকলো গেচৰ সাধাৰণ বিধিটোৰ (universal gas law) deviation অৰ্থাৎ খুঁত তিমানে বেছিকৈ ধৰা পৰিব ধৰে; আৰু চাপ বঢ়াই আৰু লগে লগে তাপ কমাই গেচ এটাৰ আয়তন কমাই গৈ থাকিলে গেচটো গৈ শেহত জুলীয়া অৱস্থাত উপনীত হয়গৈ—তেতিয়া আৰু গেচৰ নিয়ম একেবাৰেই নাখাটে। ভেন্‌-ডাৰ্‌-ওৱাল্‌চ চাহাবে ওপৰোক্ত universal gas equationটো অলপমান সংশোধন কৰি দিলে আৰু এই সংশোধিত equationটো বস্তুৰ সকলো অৱস্থাতো খটা হ'ল। ভেন্‌-ডাৰ-ওৱাল্‌চৰ সংশোধিত equationটো হৈছে

$$(P + \frac{a}{\sqrt{2}})(V - 6) = RT$$

ইয়াত $\frac{a}{\sqrt{2}}$ হৈছে অণুবিলাকৰ পৰস্পৰৰ প্ৰভাৱৰ বাবে কৰিবলগীয়া সংশোধনী আৰু—6 হৈছে অণুবিলাকৰ বাবে কৰিবলগীয়া সংশোধনী।

এভোগেড্ৰোৰ অনুমান

গেচৰ সম্বন্ধে অইন এটা ডাঙৰ তথ্য হৈছে এভোগেড্ৰোৰ অনুমান। গে লুচাক (Gay Lussac) চাহাবে পৰীক্ষা কৰি পালে যে যেতিয়া দুটা গেচৰ ভিতৰত ৰাসায়নিক ক্ৰিয়া হয় তেতিয়া গেচ দুটাৰ যি অংশ দুটাৰ ভিতৰত ৰাসায়নিক ক্ৰিয়া হয় সেই অংশ দুটাৰ আয়তনক অতি সৰু সংখ্যা দুটাৰ অনুপাতেৰে প্ৰকাশ কৰিব পাৰি। ১গুণ আয়তনৰ অক্সিজেনৰ অংশ এটা দুগুণ আয়তনৰ হাইড্ৰোজেনৰ অংশ এটাৰে সৈতে ৰাসায়নিক পদ্ধতিৰে লগ লগা বাবে পানীৰ উৎপত্তি হয় সেইদৰে হাইড্ৰোজেনৰ এক অংশ আৰু ক্লোৰিণৰ দুই অংশ লগ লাগি হাইড্ৰোক্লেৰিক এছিড্‌ দুই অংশৰ উৎপত্তি হয়। আমি আগতে কৈ আহিছোঁ যে দুটা বস্তুৰ মাজত ৰাসায়নিক ক্ৰিয়া হোৱা মানে সিহঁতৰ অণুবিলাকৰ ভিতৰত ৰাসায়নিক ক্ৰিয়া হোৱা; সেইবাবে দুটা গেচৰ ভিতৰত ৰাসায়নিক ক্ৰিয়া হলে সিহঁতৰ অংশ দুটাৰ পৰস্পৰৰ অণুৰ সংখ্যাৰ এটা সৰল সম্বন্ধ থকা বুলি অনুমান কৰিব পাৰি। এই অনুমানটোক গে লুচাকৰ আবিষ্কৃত নীতিৰ লগত মিলাই চাই ইটালী দেশৰ বৈজ্ঞানিক এভোগেড্ৰোৱে (Avogadro) অনুমান কৰিলে যে যেতিয়া তাপ আৰু চাপ একে হয় তেতিয়া যেই সেই দুটা গেচৰ সমান সমান আয়তনৰ অংশ দুটাত থকা অণুৰ সংখ্যা পৰস্পৰ সমান *। এই অনুমানটো সকলোৱে একবাক্যে সমৰ্থন কৰিছে আৰু যিবিলাক নতুন নতুন ঘটনা ইয়াৰ পাছত আবিষ্কৃত হৈছে সেই আটাইবিলাকেৰে সৈতে এইটো খাপ খাই গৈছে। এই অনুমানটোৱে বয়লচ্‌ ল', চাৰ্লচ্‌ ল' প্ৰভৃতি বুজিবলৈ বেছি সহজ কৰি দিছে আৰু এটা বস্তুৰ আপেক্ষিক আণবিক ওজন (Relative molecular weight) জনা থাকিলে অইন এটা বস্তুৰ আপেক্ষিক ওজন বাহিৰ কৰিবৰ উপায় কৰি দিছে। কিন্তু আজিকালি পণ্ডিতসকলে অকল তুলনামূলক ওজন জানিয়ে ক্ষান্ত থকা নাই; এডোখৰ ঠাইত নিৰ্দ্দিষ্ট পৰিমাণ তাপ আৰু চাপ দিলে কেইটা অণু থাকিব পাৰে আৰু গতিকে এটা বস্তুৰ এটা অণুৰ ভৰ কিমান তাকো হিচাপ কৰি উলিয়াব পৰা উপায় বাহিৰ হৈছে—আজিকালি আমি এটা অণুৰ অবয়ব অৰ্থাৎ তাৰ শৰীৰটো কিমান ডাঙৰ দীঘল আৰু তাৰ ওজন সকলোকে মোটামুটিকৈ কব পৰা হৈছোঁ।

* Equal volumes of different gases at the same temperature and pressure contain equal number of molecules.

দেশ-বিদেশ

চীন-জাপান

আজি ২১ বছৰ পূৰ্ব্বে চীনবাসীসকলে চীনক সাম্ৰাজ্য গুচাই সাধাৰণতন্ত্ৰত পৰিণত কৰিলে। তেতিয়াৰেপৰা গোটেই দেশখনত নানা হাই-কাজিয়া লাগিয়েই আছে, আৰু সৰু সৰু কেবা অংশত নিজা নিজাকৈ একোজনে শাসন কাৰ্য্য চলাই আহিছে, গতিকে এতিয়াও নানকিঙৰ কেন্দ্ৰীয় শাসনে সকলোৰে ওপৰত বলৱতীভাৱে নিজৰ প্ৰভুত্ব স্থাপন কৰিব পৰা নাই। বৰ্ত্তমান নানকিঙত যি দলৰ হাতত শাসনভাৰ আছে, এই দল জাতীয় দল নামে জনাজাত, চীন ভাষাত কুমিনটাং বোলা হয়। ৰুছিয়াৰ কমিউনিষ্ট দলৰ আদৰ্শকে নিজৰ দেশত সুজাকৈ এই দলে গ্ৰহণ কৰিছে। তিনি বছৰ আগেয়ে যেতিয়া এই কুমিনটাং দলৰ হাতলৈ শাসনভাৰ আহে, তেতিয়া আন আন দলৰ লগত এই দলৰ ভীষণ যুদ্ধ হয় আৰু আজিও পৰস্পৰৰ মাজৰ সেই শত্ৰুভাৱ আঁতৰি যোৱা নাই।

কিন্তু চীনাবিলাকৰ এইটোৱেই মহৎ গুণ যে এদলৰ লগত কোনো বিদেশীৰ যুদ্ধ লাগিলে, সকলো দলেই একেলগ হৈ বিদেশীক আক্ৰমণ কৰে। গতিকে যদিও চীনৰ কোনো জাতীয়তাবাদী নেতাই আজিলৈকে বিৰুদ্ধ দলবোৰক নিজৰ প্ৰভুত্বৰ তললৈ আনিব পৰা নাছিল, তথাপি জাপানৰ আক্ৰমণৰ ফলত আজি সেই উদ্দেশ্য সিদ্ধ হৈছে, আৰু সকলো দলে একেলগে জাপানী সৈন্যক হৰুৱাবলৈ দৃঢ়প্ৰতিজ্ঞ হৈছে।

মঙ্গোলিয়া, মাঞ্চুৰিয়া আৰু চীনৰ তুৰ্কীস্থানক এৰি, প্ৰকৃততে চীনদেশ যি অংশক বুলিব পাৰি, আয়তনত সেইডোখৰ ঠাই ইংলণ্ড আৰু স্কটলেণ্ডৰ পঁচিশগুণ আৰু লোকসংখ্যা প্ৰায় ৪৩ কোটি।

প্ৰায় ৩০০০ বছৰ ধৰি এই দেশখন চীনৰ সম্ৰাটে শাসন কৰি আহিছিল। কিন্তু ধৰ্ম্মকাৰ্য্য পাতি, প্ৰজাৰ হৈ দেৱতাক সন্তুষ্ট কৰাৰ বাহিৰে তেওঁৰ আন কাম একো নাছিল বুলিব পাৰি। দেশৰ নানা ঠাইত একোজনকৈ প্ৰতিনিধি আছিল, কিন্তু এই প্ৰতিনিধিসকলেও কৰ-কাটল আদায় কৰা আৰু শান্তিৰক্ষাৰ বাহিৰে আন একো কাম

কৰিব নালাগিছিল। দেশৰ প্ৰত্যেক অঞ্চলতে একপ্ৰকাৰ স্বায়ত্তশাসন চলিত থকাত মানুহবিলাকে প্ৰায় সকলো কামকে এই প্ৰথাৰে সম্পাদন কৰিছিল। গতিকে কেন্দ্ৰীয় শাসন স্বেচ্ছাতন্ত্ৰমূলক হলেও আচলতে গণতন্ত্ৰহে দেশত প্ৰচলিত আছিল।

সেই দেখিয়েই ডাঃ চান ইয়াৎ সেনে ভাবিলে যে চীনত প্ৰকৃত গণতন্ত্ৰ স্থাপন কৰা একো টান কাম নহব। বৰং এনেটো কৰিলে ৰাইজৰ উপকাৰহে হব। কোনো ৰাজবংশ দুৰ্ব্বল হলে আন এটা বংশই সাম্ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰিবলৈ বিচাৰে আৰু সেই সময়ত দেশত বৰ অশান্তি হয়। গণতন্ত্ৰ প্ৰতিষ্ঠিত হলে সেই বিপদৰ হাত সাৰিব পৰা যাব। এই বিশ্বাসেৰে তেওঁ ১৯১১ চনত মাঞ্চু বংশক পৰাস্ত কৰি সাধাৰণতন্ত্ৰ স্থাপন কৰিলে।

১৯২৮ চনত কুমিনটাং দলে উত্তৰ চীন অধিকাৰ কৰিলে, কিন্তু পশ্চিম আৰু উত্তৰ অংশ এতিয়াও নানকিং শাসনৰ বাহিৰত। দেশত কোনো শৃঙ্খলাপূৰ্ণ শাসন নথকাত চীনবাসীসকলৰ বহুতে নানা অসৎ উপায়েৰে জীৱিকা নিৰ্ব্বাহ কৰে। চীনত ডকাইত আৰু চোৰৰ সংখ্যা সৰহ। এইবিলাকৰ বহুতে সাগৰযাত্ৰীসকলকো মাজেসময়ে আক্ৰমণ কৰি ধনসোণ কাঢ়ি লয়।

বিশেষকৈ মাঞ্চুৰিয়া প্ৰদেশৰ বেছিভাগ অধিবাসীয়েই এই শ্ৰেণীৰ মানুহ। মাঞ্চুৰিয়া জাপানৰ উপনিবেশৰ দৰে। জাপানৰ লোকসংখ্যা বাঢ়ি যোৱাত বহুত জাপানীয়ে মাঞ্চুৰিয়াত বাস কৰিছে আৰু মাঞ্চুৰিয়াৰ উৎপন্ন বস্তুৰে জাপানৰ অধিবাসীসকলে খোৱাবস্তুৰ অভাৱ পূৰাব পাৰিছে। এই বাবে মাঞ্চুৰিয়াৰ ওপৰত জাপানে বৰকৈ নিৰ্ভৰ কৰিব লাগে। কিন্তু আজি প্ৰায় এবছৰকাল চীনাবিলাকে মাঞ্চুৰিয়াত থকা জাপানীবিলাকৰ ওপৰত নানা অত্যাচাৰ কৰি আহিছে আৰু তাৰ ফলত জাপানৰ আৰ্থিক বহুত লোকছান হৈছে। জাপানে নানকিং গবৰ্ণমেণ্টৰ ওচৰত মাঞ্চুৰিয়াৰ বিৰুদ্ধে অভিযোগ কৰিও কোনো সদুত্তৰ নাপালে, কাৰণ মাঞ্চুৰিয়া আচলতে নানকিঙৰ শাসনৰ বাহিৰত।

১৮৯৫ চনত চীন-জাপানৰ মাজত যি যুদ্ধ হয়, তাৰ ফল স্বৰূপে চীনৰ পৰা জাপানে ফৰমোজা দ্বীপ আৰু বহুত ধন ক্ষতিপূৰণ স্বৰূপ পায়। তাৰ দহ বছৰ পিছত ৰুছিয়াৰ লগত জাপানৰ যুজ লাগে, আৰু ৰুছিয়াৰপৰা মাঞ্চুৰিয়া প্ৰদেশ জাপানে কাঢ়ি লয়। জাপানৰ বাবে মাঞ্চুৰিয়া অতি আৱশ্যকীয় প্ৰদেশ, গতিকে আজি ২৬ বছৰে জাপানে মাঞ্চুৰিয়াৰ উন্নতিৰ অৰ্থে প্ৰায় কুৰি কোটি পাউণ্ড খৰচ কৰিছে। ইয়াৰ ফলত তাত থকা চীনা অধিবাসীসকলৰো কিছু উপকাৰ হৈছে, কিন্তু চীনাবিলাকে জাপানৰ প্ৰভুত্ব ভাল পোৱা নাই।

১৯২৫ চনত চান ইয়াৎ সেনৰ মৃত্যু হয়। ১৯২৬ চনত কুমিনটাং দলে ৰুছিয়াৰ সাহায্যত চীনৰ অধিকাংশ দখল কৰে, কিন্তু কিজানি বলছেভিক দলে প্ৰাধান্য লাভ কৰে, এই ভয়ত ৰুছিয়াৰ সৈন্যদলক খেদি উলিয়াই পঠিয়ায়। মহাসমৰৰ সময়ত চীনৰ উত্তৰ পূব অংশ জাৰ্ম্মাণীৰ হাতত আছিল, কিন্তু ভাৰ্চাইলৰ সন্ধিমতে তাক জাপানক দিয়া হয়। চীনবাসীবিলাকে এই কথাত ঘোৰতৰ আপত্তি কৰিলে। এই আপত্তিকাৰীসকলৰ বেছিভাগেই ছাত্ৰসম্প্ৰদায়। চীনৰ ছাত্ৰসম্প্ৰদায়ে সংঘবদ্ধ হৈ তেতিয়াৰেপৰা জাপানৰ বিৰুদ্ধে যি প্ৰচাৰকাৰ্য্য আৰু বয়কট আৰম্ভ কৰিলে, তাৰ ফলত চীনাসকল আজি সজাগ হৈ উঠি জাপানৰ কাৰ্য্যত প্ৰতিবাদ কৰিছে।

জাপানে উপায়ান্তৰ নেদেখি জাৰ্ম্মানীৰ পৰা পোৱা ঠাইডোখৰ চীনৰ শাসক সম্প্ৰদায়ক ফিৰাই দিলে, কিন্তু এবাৰ যি সংঘৰ্ষ উপস্থিত হল, তাৰ ফলত চীনত জাপানৰ সকলো স্বাৰ্থৰ সমূহ ক্ষতি হবলৈ ধৰিলে। ১৯১৫ চনত জাপানে চীনৰ ওপৰত প্ৰভুত্ব স্থাপন কৰিবৰ উদ্দেশ্যেৰে চীনৰ গবৰ্ণমেণ্টৰ ওচৰত ২১টা বিভিন্ন দাবী উপস্থিত কৰিছিল। চীনৰ জনসাধাৰণৰ পক্ষৰপৰা দুৰ্ঘোৰ আপত্তি উঠাত জাপানে সেই দাবী উঠাই লৈছে, কিন্তু চীনে জাপানৰ সেই ধৃষ্টতাৰ কথা পাহৰিব পৰা নাই। কুমিনটাংদলে ১৯২৮ চনৰ পৰা চীনক সকলো প্ৰকাৰে বিদেশীৰ প্ৰভাৱৰপৰা উদ্ধাৰ কৰিবলৈ চেষ্টা কৰি আহিছে।

যোৱা বছৰ জহকালি মাঞ্চুৰিয়াৰ চীনাবিলাকে কেপ্টেইন নাকামুৰা নামে জাপানী সৈনিক এজনক হত্যা কৰে। ঠিক এই ঘটনাৰ পিছৰ-পৰাই আগৰ উমাই থকা জুই জ্বলি উঠিছে আৰু প্ৰাচ্যৰ জাতিসমূহৰ মাজত ই ঘোৰ সমস্যাৰূপে দেখা দিছে। চীনে অকল জাপানী সৈন্যৰ লগত যুদ্ধ কৰিয়েই এৰা নাই, গোটেই দেশতে জাপানৰ বস্তু বয়কট কৰা হৈছে। চীনৰ ছাত্ৰসকলে এই বয়কট আন্দোলনৰ নেতৃত্ব কৰিছে। ছাত্ৰসকলৰ ভয়ত কোনো চীনা মানুহে জাপানৰ বস্তু ব্যৱহাৰ কৰিব বা বেচিব নোৱাৰে, কৰিলেই জৰিমনা দিব লাগিব। জাপানে চীন গবৰ্ণমেণ্টক এই ছাত্ৰসকলক দমন কৰিবলৈ উপদেশ দিছিল, কিন্তু চীন গবৰ্ণমেণ্টে ছাত্ৰসকলক দমাব নোৱাৰেও, আৰু পাৰিলেও নদমায়। চীনৰ ছাত্ৰশক্তি কিমান প্ৰবল, তাক ইয়াৰ পৰাই বুজিব পাৰি। যোৱা ডিছেম্বৰলৈকে জাপানে চীনৰ বেপাৰত প্ৰায় ডেৰকোটি পাউণ্ড লোকছান ভৰিছে। গতিকে জাপানে উপায় নাপাই চীনৰ জাপানী-শত্ৰুবোৰক নিজেই শাস্তি দিওঁ বুলি চীন আক্ৰমণ কৰাত চীনেও জাপানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে। বিদেশীৰ হাতৰপৰা দেশক ৰক্ষা কৰিবলৈ কাৰবাৰ কৰাত চীনক দোষাৰোপ কৰিব নোৱাৰি।

জাপানৰ কাৰ্য্যত জেনেভাৰ লীগ অৱ নেশ্যন্‌ছে আপত্তি কৰিছে। কিন্তু জাপানে তাৰ উত্তৰত এইটোকে কৈছে যে দোষ কেৱল জাপানৰেই নহয়, চীনৰো। গতিকে চীনৰ কাৰ্য্যত কোনো দোষাৰোপ নকৰি কেৱল জাপানক নিন্দা কৰাত লীগৰ পক্ষপাতিত্ব প্ৰকাশ পাইছে, আৰু এই বাবে জাপানে লীগৰ কথা মানি চলিব নোৱাৰে। আমেৰিকা, ইংলণ্ড, ফ্ৰান্স, ৰাছিয়া আদিৰ যেনেকৈ চীনত নিজৰ নিজৰ বিশেষ স্বাৰ্থ আছে, তেনেকৈ জাপানৰ স্বাৰ্থও তাত বহুত আছে। আচলতে জাপানৰ স্বাৰ্থ চীনত বহুত বেছি। কিন্তু চাংহাইত এই প্ৰত্যেক জাতিৰে সৈন্যদল একোটি আছে আৰু এই সৈন্য ৰখাৰ উদ্দেশ্য এয়ে যে কোনোবাই কোনো জাতিৰ স্বাৰ্থ ৰক্ষাত ব্যাঘাত ঘটাব খুজিলে সৈন্যদলে গৈ সেই স্বাৰ্থ ৰক্ষা কৰিব। গতিকে জাপানৰ স্বাৰ্থ ৰক্ষাৰ অৰ্থে জাপানেও চীনৰ বিৰুদ্ধে জাপানী সৈন্য নিয়োগ কৰিবলৈ অধিকাৰী, তাত আনে আপত্তি কৰিলেও জাপানে নুশুনে। জাপানৰ শাসনভাৰ এতিয়া মিলিটাৰীষ্ট দলৰ হাতত। এই মিলিটাৰীষ্ট সকলে চীনক আক্ৰমণ কৰিলে, তাৰ জাতীয়দলে কিন্তু এই কাৰ্য্য সমৰ্থন কৰা নাই।

চীন-জাপানৰ এই সংঘৰ্ষই য়ুৰোপ আৰু আমেৰিকাক সজাগ কৰি তুলিছে। চীনৰ ওপৰত জাপানে প্ৰভুত্ব স্থাপন কৰা মানে প্ৰশান্ত মহাসাগৰত জাপানৰ প্ৰভুত্ব বঢ়াই তোলা। তাৰ ফলত এই প্ৰশান্ত মহাসাগৰত আমেৰিকাৰ প্ৰভুত্ব খৰ্ব্ব হব। গতিকে আমেৰিকাই সকলো জাতিতকৈ তীব্ৰভাৱে জাপানৰ কাৰ্য্যত প্ৰতিবাদ কৰিছে। চীনত ইংলণ্ডৰ ভালেখিনি স্বাৰ্থ আছে। গতিকে চীন-জাপান যুদ্ধত সেই স্বাৰ্থত কি ব্যাঘাত ঘটে, তালৈ ইংলণ্ডই বিশেষ লক্ষ্য ৰাখিছে। জেনেভাত লীগে এতিয়ালৈকে কোনো আৱশ্যকীয় কাম কৰিব পৰা নাই। চীন-জাপানৰ এই সংঘৰ্ষই য়ুৰোপৰ প্ৰধান প্ৰধান জাতিবিলাকৰ ভাগ্য-গতি সম্পূৰ্ণ ওলোটাই দিব পাৰে।

বিশ্ব প্ৰৱাহ

অসম সাহিত্য সভাৰ যোৱা শিৱসাগৰ অধিবেশনৰ সভাপতিৰ অভ্যৰ্থনা

সাহিত্য সভাৰ অধিবেশনৰ কেদিন সভাপতি থকা



শিৱসাগৰত

ঠাই অসম পলিটেকনিক স্কুলৰ শিক্ষক-ছাত্ৰসকলৰ লগত এটি ছবি তোলা হৈছিল। চেয়াৰত বহি থকা শাৰীৰ দুয়ো ফালে তিনিজনকৈ এৰি মাজত সভাপতি জমিদাৰ শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী। তেওঁৰ ঠিক কাষতে সোঁপিনে পলিটেকনিক স্কুলৰ চেক্ৰেটৰী শ্ৰীযুত ভুবনচন্দ্ৰ গগৈ আৰু তাৰ পিছত শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী। বাওঁপনে সভাপতিৰ কাষতে শ্ৰীযুত বিষ্ণুপ্ৰসাদ চলিহা আৰু তাৰ পিছত বুৰঞ্জী শাখাৰ সভাপতি শ্ৰীযুত সোণাৰাম চৌধুৰী।

সন্মিলনৰ পৰা উভতিবৰ সময়ত সভাপতি ডাঙৰীয়াই ৰাতিৰ কেঘণ্টামান যোৰহাটত জিৰাইছিল। সেই সময়ত যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ হলত তেওঁৰে সৈতে এটি ছবি তোলা হৈছিল। ছবিত সোঁহাতৰ পৰা বহি শ্ৰীযুত আনন্দ চন্দ্ৰ বৰুৱা, শ্ৰীযুত কীৰ্ত্তিচন্দ্ৰ বৰদলৈ, শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী, কুমাৰ শ্ৰীযুত দেবেন্দ্ৰ নাৰায়ণ দেৱ, শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক, সভাপতি শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, সাহিত্য সভাৰ চেক্ৰেটৰী শ্ৰীযুত দেৱেশ্বৰ চলিহা, শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱা ইত্যাদি। শ্ৰীযুত হেৰম্ব প্ৰসাদ বৰুৱা ডাঙৰীয়াৰ ঘৰতে সভাপতিক অভ্যৰ্থনাৰ অৰ্থে নানা গানবাজনা আৰু খোৱা-লোৱাৰ বন্দোবস্ত কৰা হৈছিল।

সভাপতি সম্ভাষণত শিৱসাগৰীয়া ৰাইজৰ কোনো ত্ৰুটী চকুত পৰা নাই। সুযোগ্য সভাপতি ডাঙৰীয়া অসমৰ য লৈকে গৈছে, তাতেই হাঁহিমুখৰ সাদৰ-সম্ভাষণ পাইছে। সাহিত্য সন্মিলনৰ সকলো কাম সুচাৰুৰূপে সম্পন্ন হোৱাত শিৱসাগৰীয়া ৰাইজলৈ আমিও আমাৰ শলাগৰ শৰাই আগ বঢ়াইছোঁ।



যোৰহাটত

৺মিঃ এড্‌গাৰ ৱালেছ

বিখ্যাত ঔপন্যাসিক মিঃ এড্‌গাৰ ৱালেছ ঢুকাল। তেওঁ এজন যশস্বী লিখক আছিল। তেওঁ ৬খন নাট, ১৪০খন উপন্যাস আৰু ২০০ৰো ওপৰ চুটি গল্প লিখিছে। তেওঁৰ লিখাৰোৱ সমাজৰ অভাব অভিযোগৰ বৰ্ণনাৱে ভৰা। সেইবাবে মানুহে তেওঁৰ লিখাৰোৱ পৰি সোৱাদ পাইছিল। কিবা এটা লিখিবলৈ "প্লট" কৰাৰ তেওঁৰ অদ্ভুত ক্ষমতা আছিল। মিঃ এড্‌গাৰ ৱালেছৰ মৃত্যুত



মিঃ এড্‌গাৰ ৱালেছ

ইংৰাজী পঢ়ুৱা সমাজে এজন প্রতিভাশালী লিখাক হেকৱালে।

আমাৰ কলাসাধনা

জীৱনৰ কৰ্ম্মক্ষেত্ৰৰ সকলো বিভাগতে সোমোৱা জীৱন্ত আৰু উঠি-অহা জাতিৰ চিন। যুগ-যুগান্তব্যাপী যুজবাগৰ আৰু নানান অকথ্য অত্যাচাৰত নিপীড়িত অসমীয়া জাতি ইংৰাজৰ আমোলতৈ আহি কিছুদিনলৈ অৱসাদত গা এৰি দিলে। কেৱল মাথোন এই কাৰণে অসমীয়া জাতিৰ বৰমুৰীয়াসকলে আপোন জাতিক কানীয়া, সোৱোপা বুলি গৰিহণা দি আহিছিল। কিন্তু তকণ



শ্রীযুত প্রতাপচন্দ্র বৰুৱা

অসমে কেউফালেদি প্রমাণ কৰিব ধৰিছে, অসমীয়া জাতি কানীয়া নহয়, অসমীয়া জাতিৰ সোৱোপালি নাই। জীৱনৰ কৰ্ম্মক্ষেত্ৰৰ সকলো বিভাগতে অসমীয়া ডেকা সোমাব ধৰিছে। চিত্রকলাত আমি চহকী নহওঁ বুলি ইমানদিনে বোধ কৰি আছিলোঁ। এই দুৰ্দ্দাম আঁতৰাবো আগশি লক্ষণে আমাৰ মাজত দেখা দিছে। কেবাগবাকীও অসমীয়া ডেকাই চিত্রকলাৰ শিক্ষা সাং কৰিছে আৰু কেবাগবাকীয়ে দুৰ-দুৰণিত চিত্রকলা শিকিবলৈ হাতত লৈছে। সেই সকলৰ ভিতৰৰ তেজপুৰৰ শ্রীযুত প্রতাপচন্দ্র বৰুৱা এগবাকী। তেওঁ কলিকতাৰ আৰ্ট স্কুলত পঢ়ি ধৰিছে। আৱাহনত তেখেতৰ "গৃহলক্ষ্মী", "বাঙলী বিহু", "জয়মতী কুঁৱৰী", "আকৰ্ষণ" আৰু "সৰ্ব্বহাৰা" এই কেইখন তিন-ৰঙীয়া ছবি প্রকাশ হৈছে। সেই ছবিবোৰে তেখেতৰ যোগ্যতা দেখুৱাই পাৰিছে। শিকাকাল বাঢ়ি যোৱাৰ লগে লগে তেখেতৰ হাত আৰু পৈণত হব আৰু কালত তেওঁ এজন লেখৰ আৰ্টিষ্ট হব পাৰিব বুলি নিসন্দেহে কব পাৰি। তাবোপৰি বিদেশত শিক্ষা আৰু অভিজ্ঞতা যদি লাভ কৰিব পাৰে তেন্তে বৰুৱাদেও এজন নিপুণ শিল্পী হৈ অসম আইৰ মুখ গোহাব। আন দেশত চিত্রকৰসকলে

ৰাজনীতি-কাকত, আলোচনী আৰু আদ্যন্তৰ লোকসকলৰ পৰা আৰ্থিক আৰু আন লাগতিয়াল বিষয়ৰ সহানুভূতি আৰু উৎসাহ পায়। আমাৰ দেশত নাপায় বুলি কাৰো কাৰো মনত ধাৰণা। আমাৰ দেশত ৰাজনীতি-কাকত আৰু আলোচনীৰ পৰা আৰ্থিক সহানুভূতি অৱশ্যে নাপায়; কিন্তু দেশৰ মানুহৰ পৰাও নোপোৱা কথাটো যে ভ্রান্তিমূলক, তাক আমি আন প্রসঙ্গত দেখুৱাবলৈ যত্ন কৰিম।

যুৱোপত পোপৰ প্রভুত্ব

খৃষ্টধর্ম্মৰ আৰম্ভণিৰ কিছুকাল পিছৰে পৰা মধ্যযুগৰ শেষলৈকে যুৱোপত খৃষ্টধর্ম্মাধিকাৰী পোপৰ ক্ষমতা অপ্রতিহতৰূপে চলি আহিছিল। বৰ্ত্তমান যুগৰ আৱছুষিত যেতিয়া নানাজনে পোপৰ নানা দোষ আৰু কলুষিত আঁহি নিন্দা কৰি নতুন নতুন বিশেষতঃ প্রটেষ্টেণ্ট



পোপ একাদশ পায়াছ

সম্প্রদায় স্থাপন কৰিলে, তেতিয়া ইটালীৰ এই ধর্ম্মগুৰুৰ প্রভাৱ কিছুদূৰ খৰ্ব্ব হলেও ১৮৭০ চনলৈকে আন আন স্বাধীন ৰজাসকলৰ দৰে পোপকো স্বাধীন ৰজা বুলি স্বীকাৰ কৰা হৈছিল, আৰু বোম চহৰখন তেওঁৰ শাসনাধীনত আছিল। ১৮৭০ চনত ইটালীৰ ৰজাই বোম অধিকাৰ কৰে। ধর্ম্মৰ ওপৰত, বিশেষকৈ কেথলিক সম্প্রদায়ৰ ওপৰত পোপৰ প্রভুত্ব থাকিলেও তেওঁৰ তলত কোনো নির্দ্দিষ্ট ভূমিখণ্ড বা ৰাজ্য নোহোৱা হল। ১৮৭১ চনত ইটালীৰ ৰজাই আইন কৰি এই কথা স্বীকাৰ কৰিলে যে সাধাৰণতঃ পোপক কোনো দোষত অভিযুক্ত কৰিব, পৰা নহব, আৰু ইটালীৰ গৱর্ণমেণ্টে পোপক ৰাজসম্মান দেখুৱাব। গতিকে ৰাজ্য নহলেও ইটালীৰ গৱর্ণমেণ্টে পোপক ৰজা বুলি স্বীকাৰ কৰিলে। পোপৰ নিজৰ ডাকঘৰ টেলিগ্রাফ অফিছ থাকিল, শৰীৰ ৰক্ষক থাকিল আৰু তেওঁ যুৱোপৰ নানা ৰাজসভালৈ প্রতিনিধি পঠিয়াই ৰাজসম্মান পাবলৈ ধৰিলে।

১৮৭০ চনত যিজনা পোপ আছিল, তেওঁ এতিয়াও জীয়াই আছে। তেওঁৰ নাম একাদশ পায়াছ (Pious XI), তেও আজীৱন ব্রহ্মচাৰী আৰু সকলো শাস্ত্রতে সুপণ্ডিত। তেওঁ পৃথিবীৰ নানা দেশৰ সকলো জটিল সমস্যাৰ খবৰ ৰাখিছে আৰু বাহিৰৰ পৰা কোনো মানুহে তেওঁক দেখা কৰিবলৈ গলে সেইবোৰ কথা আলোচনা কৰে। ১৯২৯ চনলৈকে ইটালিৰ ৰজাৰ লগত তেওঁৰ কাজিয়া আছিল, আৰু ইটালীৰ ৰজা তেওঁৰ ব্যক্তিগত বন্ধু হলেও, পোপে তেওঁক ৰজা বুলি স্বীকাৰ নকৰিছিল, আৰু তেওঁৰ প্রাসাদ ভেটিকান নামক ঘৰটো ইটালীৰ অধিকাৰৰ তলত নহয় বুলি কৈছিল। কিন্তু ইটালীৰ ৰজাই পোপক ৰাজসম্মান দেখুৱাবলৈ ভেটিকানৰ দুৱাৰ মুখত দুজন সৈনিক ৰাখি থৈছিল। পোপ ওলাই আহিলেই তেওঁক ৰজাৰ প্রতি যথোচিত সম্মান দেখুৱাবলৈ আদেশ আছিল। কিন্তু পোপৰ প্রতি এনে সম্মান দেখুৱালে হয় পোপে সেই সম্মান গ্রহণ কৰিব, নহলে তাক প্রত্যাখ্যান কৰিব লাগিব। যদি তাক গ্রহণ কৰা হয়, তেনেহলে বোমৰ ওপৰত ইটালীৰ ৰজাৰ আধিপত্য স্বীকাৰ কৰা হয়, আৰু যদি প্রত্যাখ্যান কৰা হয়, তেনেহলে ইটালীৰ ৰজাই তেওঁৰ প্রাসাদ আক্রমণ কৰিব পাৰে। গতিকে দুয়ো ফালেদি এনে বিপদৰ হাত সাৰিবৰ বাবে আজি ৫৯ বছৰ ভেটিকানবাসী ওলোৱা নাছিল, এনেকি নিজৰ এবোপ্লেন থকাতো ইটালীৰ গৱর্ণমেণ্টে ৰাজসম্মান দেখুৱাবৰ ভয়ত আকাশেদিও উৰি নগৈছিল।

১৯২৯ চনৰ ১১ ফেব্রুৱাৰী তাৰিখে এই অৱস্থাৰ পৰিবৰ্ত্তন ঘটিল। মুছোলিনিয়ে পোপৰ স্বাধীনতা স্বীকাৰ কৰিলে, ভেটিকানৰ ১০৬ একৰ মাটিত পোপৰহে ৰাজত্ব, ইটালীৰ গৱৰ্ণমেণ্টৰ তাত কোনো অধিকাৰ নাই, আৰু কেথলিক ধৰ্ম্মহে ইটালীৰ ৰজাৰ স্বীকৃত ৰাষ্ট্ৰধৰ্ম্ম বুলি স্বীকৃত হ'ল। তেতিয়াহে পোপ বহিৰ্জগতলৈ ওলাই আছিল আৰু কিছুদিন পূৰ্ব্বে মুছোলিনিয়েও তেওঁৰ লগত সাক্ষাৎ কৰিলে।

হৰিহৰছত্ৰ-মেলা

বিহাৰত শোণপুৰ নামে এডোখৰ ঠাই আছে। ই বেঙ্গল এণ্ড নৰ্থ-ৱেষ্টাৰ্ণ ৰেলৱেৰ জংশ্যন। এই শোণপুৰত নানাতৰহীয়া বস্ত্ৰ বেচা-কিনা হয়। হাতী, ঘোঁৰা, উট, গৰু, চৰাই, গছ-গছনি, কলম, ফুল আদি কিমান কিমান বেচা হয়, তাৰ লেখ-জোখ নাই। মেলাত বেচা-কিনা কৰিবলৈ গৰুবোৰ ঘ'ত বাখে, সেই ঠাই ডোখৰক 'ৱয়েল হাট্টা' বোলে। তাত যে কিমান লাখ গৰু থাকে, অনুমান কৰিব নোৱাৰি। চকুৰে মনিব পৰালৈকে কেৱল 'ৱয়েল-হাট্টাক' এটা গো-সমুদ্ৰ বুলিহে মনে ধৰে।

শোণপুৰত এটা বিগ্ৰহ আছে—নাম হৰিহৰনাথ। দেৱদৰশনলৈ মানুহৰ ইমান হেঁচা ওপৰা লাগে যে বিৰ-দি সন্ধি পাৰলৈ ঠাই নাইকিয়া হয়।

শোণপুৰ ইমান প্ৰসিদ্ধ কিয়, আৰু হৰিহৰছত্ৰ নাম



হৰিহৰছত্ৰ মেলাৰ ৰঙেলহাট্টা

বছৰি কাতিপূৰ্ণিমাৰ সময়ত হৰিহৰছত্ৰ-মেলা বহে। কাৰণ সেই সময়ত গঙ্গাস্নান হয়। হৰিহৰছত্ৰ-মেলাৰ বিৰাট মেলা। এনে মেলা ভাৰতৰ আন কোনো ঠাইত নাই। ইয়ালৈ দেশ দেশান্তৰৰ পৰা বহু মানুহ আহে, শই শই সাধু সন্ন্যাসী লগ লাগে। এই মেলাত কেনেকৈ হল, তাৰ পৌৰাণিক আখ্যান এই—পুৰণি কালত ত্ৰিকুট নামে এখন পৰ্ব্বত আছিল। তাত এটা সৰোবৰ আছিল। সৰোবৰ সোণৰ পদুম, ভেঁট আদি ফুলেৰে ভৰি আছিল। সৰোবৰটোৰ পানী স্ফটিকৰ দৰে নিৰ্ম্মল। এদিন পানী খাবলৈ বুলি তালৈ এটা হাতী আৰু সেই হাতীটোৰ লগত হাতিনী আৰু অনেক পো-পোৱালি আছিল। হাতীটোৱে সৰোবৰটোৰ পানী নিজেও খালে, লগৰবিলাকলৈও খুৱালে। এইদৰে হাতীটো তাত কিছুদিন থাকিল আৰু থাকি, সৰোবৰৰ ফুল ছিণ্ডি, পানী তল-ওপৰ লগাই উৎপাত কৰিব ধৰিলে। সৰোবৰত এটা বৰ ডাঙৰ ঘৰিয়াল আছিল। হাতীৰ অত্যাচাৰ সব নোৱাৰি ঘৰিয়ালটোৱে এদিন হাতীৰ ঠেং এখনত কামুৰি ধৰিলে আৰু সৰোবৰৰ মাজলৈ টানি নিব খুজিলে। কিন্তু হাতীটোও অতি বলী আছিল। দুইৰো তমোময় যুদ্ধ লাগিল। কেও নাঘাটে। এইদৰে এহেজাৰ বছৰ



শোণপুৰৰ পাৰঘাট

গ'ল। পিছত হাতীটো ক্ৰমে দুৰ্ব্বল হৈ আছিল আৰু বঙ্গাৰ নিমিত্তে ভগৱানক তুতি কৰিব ধৰিলে। ভগৱান হাতীৰ স্তুতিত সন্তুষ্ট হ'ল। দেৱতাসকলৰ লগত লৈ ভগৱান তালৈ আহিল। আৰু দুইকো পানীপৰা তুলি চক্ৰেৰে ঘৰিয়ালৰ মুখটো কাটি দিলে। হাতীটো উদ্ধাৰ হ'ল। এইদৰে 'গ্ৰাহ-গজেন্দ্ৰৰ' যুদ্ধৰ ওৰ পৰিল। এই ঘৰিয়ালটো পূৰ্ব্বজন্মত হু-হু নামে এটা গন্ধৰ্ব্ব আছিল। হু-হুৱে বহুত গন্ধৰ্ব্ব তিৰোতা লৈ এই সৰোবৰত খেমালি কৰি আছিল। দেৱল নামে এজন মুনি সেই সৰৱৰলৈ গা ধুবলৈ গ'ল। হু-হুৱে খেমালিৰ ছলেৰে মুনিৰ ভৰিত ধৰি টানিছিল। খণ্ডত মুনিয়ে হু-হুক ঘৰিয়াল হবলৈ শাও দিলে। এই ঘৰিয়াল সেই হু-হু গন্ধৰ্ব্ব। ভগৱানৰ চক্ৰৰ আঘাতত সেই ঘৰিয়াল ঢুকাই পুনৰ গন্ধৰ্ব্ব হৈ দিব্যধামলৈ ওচি গ'ল। হাতীটো আছিল পাণ্ডুদেশীয় এজন ৰজা—নাম ইন্দ্ৰদ্যুম্ন। তেওঁ তপস্যা কৰিবলৈ মলয় পৰ্ব্বতলৈ গ'ল। এদিন ইন্দ্ৰদ্যুম্ন তপস্যাত থাকোতে মহাতেজা অগস্ত্য মুনি তেওঁৰ আশ্ৰমত উপস্থিত হ'লগৈ। ধ্যানমগ্ন ইন্দ্ৰদ্যুম্ন অগস্ত্য তালৈ ঘোৱাৰ গমকে নাপালে। অগস্ত্যই ভাবিলে ৰাজাই তেওঁক গাফিলী কৰি আদৰ-সম্ভাষণ নকৰা বুলি আৰু তেতিয়াই খণ্ডৰ বেগত হাতী হবলৈ শাও দিলে। এই হাতী সেই ইন্দ্ৰদ্যুম্ন ৰাজা। ভগৱানৰ স্পৰ্শত তেৱোঁ মুক্ত হ'ল। অনেকে অনুমান কৰে, এই গ্ৰাহ-গজেন্দ্ৰৰ যুদ্ধস্থান শোণপুৰ। ইয়াতে ভগৱান হৰিয়ে মহাদেৱৰ হৰৰ সমুখত গজগ্ৰাহক মুক্ত কৰাৰ বাবে শোণপুৰ হৰিনাথৰ মিলন-ক্ষেত্ৰ বুলি প্ৰখ্যাত। ইয়াৰ পিছত কথিত আছে যে, ৰামে যেতিয়া শোণনৈ পাৰ হৈ সীতা লাভ কৰিবলৈ জনকপুৰলৈ যায় তেতিয়া তেওঁ ইয়াত এটা মন্দিৰ সজাই তাক শ্ৰীহৰি হৰনাথ মহাদেৱৰ নামত উছৰ্গা কৰে। তেতিয়াৰপৰা তাৰ নাম হল হৰিহৰছত্ৰ-মেলা।'

অসমত শ্ৰীৰামকৃষ্ণ আশ্ৰম

শ্ৰীৰামকৃষ্ণ মিশনৰ চমু পৰিচয় ইতিপূৰ্ব্বে আৱাহনত দিয়া হৈছে। সেই বিষয়ে ইয়াত দুনাই নকলেও হব। এই মিশনে কি পদ্ধতিৰে কাম চলাব লাগিছে, তাক আশ্ৰমৰ খিণংকেন্দ্ৰৰ কাম চালে বুজিব পৰা যাব। খিণংকেন্দ্ৰত এই কেইখন স্কুল খোলা হৈছে।—

(১) চেলাত এখন মজলীয়া ইংৰাজী স্কুল আৰু দুখন নিম্নপ্ৰাইমাৰী স্কুল।

(২) নংউৱাৰত এখন নিঃ প্ৰাঃ স্কুল।

(৩) মৌলভত এখন নিঃ প্রাঃ স্কুল।

(৪) উমৰাইত এখন নিঃ প্রাঃ স্কুল আৰু নৈশ বিদ্যালয়।



চেলাৰ সাদিনীয়া হৰিসভাৰ অধিবেশন

(৫) জোৰাইত এখন নিঃ প্রাঃ স্কুল সম্প্রতি বন্ধ হৈছে।)

(৬) ৰাবলং গাৱঁত এখন নিঃ প্রাঃ স্কুল।

এই ছ'খনীয়ত শিক্ষকৰ মুঠসংখ্যা ১২ জন—৯জন বঙালী, ৩জন খাচীয়া।

চেলাৰ নানান ঠাইত প্রত্যেক দেওবাৰে হৰিসভাৰ অধিবেশন বহে। তাত গীতা, ৰামায়ণ, চৰিতামৃত, কথামৃত আদি পুথি পঢ়ি বুজাই দিয়া হয়। জন্মোৎসৱ, স্নান, ৰথযাত্রা, দ'লযাত্রা, কালী পূজা আদিও হয়। তাৰোপৰি মেজিক লেণ্টাৰ্ণৰ সহায়েৰে শ্রীগৌৰাঙ্গ, ৰামকৃষ্ণ, বিবেকানন্দ ইত্যাদি বিষয়বোৰৰ নানান ঠাইত বক্তৃতা দিয়া হয়। চেলাৰ পুথিভৰালত ২৭৫খন কিতাপ আছে। খিলং আশ্রম কেন্দ্রৰ বিবেকানন্দ পুথিভৰালটোও পৰিচালক সমিতিক দিছে। ইয়াত বাহিৰেও শিশু-সাহিত্য কেতবোৰ আছে। আশ্রমৰ কৰ্ম্মীসকলে আন পৰ্ব্বতীয়া জাতিৰ মাজতো এই পদ্ধতিৰে কাম চলাবলৈ মন কৰিছে।

ওপৰৰ কথাখিনিৰ পৰা এইখিনি বুজিব পাৰি যে খৃষ্টান হবলৈ নিদি খাচীয়া-সকলক ৰামকৃষ্ণ মিশ্ননে হিন্দু কৰিবলৈ চেষ্টা কৰিছে। ৰামকৃষ্ণ মিশ্ননৰ কামৰ দ্বাৰা খাচীয়াসকল অকল হিন্দু হোৱাটো আমাৰ লাভ কিয় বাকীবিলাক বিষয়ত খাচীয়া সকল অসমীয়াৰ জাতীয়তাৰ বিৰোধী হে হব। ৰামকৃষ্ণ মিশ্ননে কৰ্ম্মী-সংগত অ-বঙালী কৰ্ম্মী লয় নে নলয়, কব নোৱাৰোঁ। কিন্তু ওপৰৰ কার্য্য-



চেলাৰ মাইনৰ স্কুলৰ কেতবোৰ ছাতৰ

অসম সাহিত্য সভাই সাহিত্য প্রচাৰ কৰিবলৈ ঠাই নাপায়, কাম কৰাবলৈ কৰ্ম্মী নাপায়, কামৰ অভাৱত থবচ দেখুৱাব নোৱাৰাত বহুবেৰীয়া ছকাৰী সাহায্যও বন্ধ হয়। হিন্দু-



শ্রীৰামকৃষ্ণ আশ্রমৰ কৰ্ম্মীজনচেৰেক

পদ্ধতি আলোচনা কৰি চালে তেওঁলোকে অসমীয়া কৰ্ম্মী নলয় বুলি অনুমান হয়। আৰু সেই অনুমান যদি সঁচা হয় তেন্তে ধৰ্ম্মৰ নামত ব্যভিচাৰ আনি তেওঁলোকে সংকীর্ণ 'প্রাদেশিকতা' হে প্রচাৰ কৰিছে বুলি কব পাৰোঁ। আৰু ফলিতাৰ্থত সেয়ে হৈছে গৈ। খাচীয়াসকলক শিক্ষা দিছে বঙালী ভাষাত, হৰিসভাত অধিবেশন কৰিছে বঙালী ভাষাত, পুথিভৰালৰ কিতাপবোৰ বঙালী, শিশু সাহিত্য বঙালী, স্কুলৰ শিক্ষক বঙালী, চৰিতামৃত বুজাইছে বঙালী, মেজিক লেণ্টাৰ্ণেৰে বক্তৃতা দি ফঁহিয়াই দেখুৱাইছে বঙালী চৰিত্র, দ'লযাত্রা, ৰথযাত্রা কৰিছে বঙালী আৰ্হিৰে।

আমি অসমীয়াই কিন্তু এতিয়াও কাণসৰাপি মাৰি আছোঁ। বিদেশীয়ে দেখাদেখিকৈ বিদ্রোহ ঘোষণা কৰিছে তথাপি আমি তাৰ সমুচিত প্রত্যুত্তৰ দিবলৈ আগুৱা নাই। মিশ্ননৰ ছেক্রেটৰী শ্রীযুত দুর্গেশ্বৰ গোস্বামীদেৱে কি কাম কৰিছে অসমীয়া বাইজে তাৰ বুজ নাপায়। কেতিয়াবা কোনোবাই কাকতে-পত্রে প্রশ্ন কৰিলেও তেখেতে উত্তৰ দিয়ে বোলে তেখেতলৈ লিখিলে হে তেখেতে হিন্দু-মিশ্যন সমন্ধে সকলো তথ্য কব পাবে। মুকলিকৈ তথ্য প্রকাশ কৰাৰ বাধা তেখেতে বাতৰি-কাকতৰ জৰিয়তে যি আঙুলিয়াইছিল, তাৰ উত্তৰত আমি তেখেতক সুধিব খোজো, তেখেতে কেইখন বাতৰি কাকত আৰু অলোচনীলৈ তেখেতৰ হিন্দু মিশ্ননৰ তথ্যৰ টোপোলা পঠাইছিল? সি যি নহক, অসমীয়া জাতিৰ পৰিসৰ বঢ়াবলৈ, অসমীয়া সাহিত্যৰ পৰিসৰ বঢ়াবলৈ পৰ্ব্বতীয়া জাতিবোৰক আমি বঙালী হিন্দু হব দিব নোৱাৰোঁ। তেওঁলোকক আমি অসমীয়া কৰি লবই লাগিব। আৰু এই কাম কৰি তুলিবলৈ হলে তকণ অসম আগবাঢ়িব লাগিব।

মহিলা জগত



মিচ শকুন্তলা আপ্পী—এণ্ড এগবাকী শিল্পী।
সম্প্রতি য়ুৰোপৰ নানা শিল্প-কেন্দ্ৰ
চাই ফুৰিব লাগিছে।



২৮ ডিচেম্বৰ তাৰিখে মাদ্ৰাজ চিনেট হাউচত মিচেচ পি, কে, বায়ৰ
সভানেত্ৰীত্বত বহা ভাৰত মহিলা সম্মিলনৰ ৬ষ্ঠ বাৰ্ষিক
অধিবেশনৰ কাৰ্য্যকৰী সমিতিৰ সদস্যসকল।

লাচিত-মেলা

—শ্ৰীযুত হিতেশ্বৰ ৰবৰকৱা

উপস্থিত ভদ্ৰমহোদয়সকল, আইসকল আৰু মোৰ অতি আদৰৰ ছাত্ৰবন্ধুসকল!

ভগৱন্তৰ চৰণলৈ সেৱা জনাই, আজিৰ এই সভাটৈ আপোনালোকৰ আদৰৰ আহ্বান গ্ৰহণ কৰি, মই নিজক কৃতাৰ্থ মানিছোঁ। আপোনালোকৰ অনেকে জানিব পাৰে যে মোৰ সাংসাৰিক জীৱনটো মাত্ৰ কিছুমান হা-হুমুনিয়াৰ লেঠেৰি নিছিগা দীঘল নিশ্বাসৰ সমষ্টি মাথোন। মোৰ শান্তি সন্তোষৰ বস্তু কিম্বা কবিব কল্পনা; আৰু শোক, দুখ, চিন্তা হৈছে মোৰ দৈনিক জীৱনৰ সহলগৰী, মোৰ শান্তিপিয়াহৰ অন্ত মাথোন জীৱনান্তত। অন্নসমস্যা লৈ জৰ্জ্জৰিত, আৰু বাৰেৰুলুৰা কুলীৰ মাজত জীৱন কটোৱা এই নিঃকিন প্ৰাণীক আপোনালোকে সভাপতি পাতিবলৈ কেনেকৈ পালে গৈ মই তাক ভাবি পোৱা নাই। সি যি কি নহওক, ই যে আপোনালোকৰ এই নিৰীহ প্ৰাণীৰ প্ৰতি স্নেহৰ নিদৰ্শন, তাত কোনো সন্দেহ নাই। "সাদৰক নেওচিব নাপায়" এই বুলিয়েই আজি মই এই সভাৰ সভাপতিৰ বাৰ লবলৈ বাধ্য হৈছোঁ, আৰু আপোনালোকলৈ মোৰ অন্তৰৰ কৃতজ্ঞতা জনাইছোঁ। মই কিন্তু পুনৰ দ্ৰাই কওঁ, মই এই সভা-যজ্ঞৰ পুৰোধাৰ বাৰ লবৰ উপযুক্ত পাত্ৰ নহওঁ আৰু কোনো ব্যক্তিগত কাৰণ লৈ, মই সভা-সমিতিবিলাকৰ পৰা আঁতৰি থাকিবলৈ হে স্থিৰ কৰিছোঁ। মোতকৈ বয়সে বৃদ্ধ, জ্ঞানী, মানী, জনা-বুজা লোক অনেক আছিল,—সিবিলাকৰ এজনক এই বাৰ দিয়া হ'লে, আপোনালোকৰ কাৰ্য্য যেনে-ভাবে সুসম্পন্ন হ'ল হেতেন, মোৰ দ্বাৰা তেনে হবলৈ আশা কৰা টান। গতিকে আপোনালোকে মোৰ সকলো ভুল, ত্ৰুটী নিজগুণে ক্ষমা কৰিব।

আপোনালোকৰ আজিৰ এই সজ অনুষ্ঠানটি বিশেষকৈ ছাত্ৰসকলৰ ৰবীয়া। ছাত্ৰসকলক বৰ্ত্তমান কালৰ সময়ৰ লগত বজিতা খুৱাই উপদেশ দিব পৰাটো নিচেই উজু কাম নহয়। দৃষ্টান্ত উপদেশতকৈ সদায়েই ভাল। দৃষ্টান্তৰ ঘৰত এই নিঃকিনৰ ফালে শূন্য, গতিকেই ছাত্ৰবন্ধু সকলক উপদেশ দিব পৰা স্বত্ব মোৰ আছে বুলি মই কেতিয়াও ভাবিব নোৱাৰোঁ। মানুহৰ ভাবৰ প্ৰবাহ ধাৰাবাহিক,—সময়ৰ গতিৰ লগত ভাবৰ গঢ়, আন্দোলনৰ গতি আৰু



শ্ৰীযুত হিতেশ্বৰ ৰবৰকৱা

কাৰ্য্যৰ প্ৰণালী নিতৌ সালসলনি হবই লাগিছে। এচু-কীয়াকৈ সোমাই থকাৰ কাৰণে এই আন্দোলনৰ সংশ্ৰৱত বা স্পৰ্শত মই আহিবলৈ পোৱা নাই। সেই কাৰণেই কওঁ, ছাত্ৰসকলক উপদেশ দিবলৈ যোৱাটো এক হিচাপে আজি মোৰ পক্ষে অনধিকাৰ চৰ্চ্চাহে।

সি যিকি নহওক, বৰ সন্তোষৰ কথা, ছাত্ৰবন্ধুসকলে "বীৰ-পূজা" কৰিবলৈ শিকিছে। যি জাতিয়ে নিজৰ জাতীয় বীৰসকলক পূজা কৰিব নাজানে, সেই জাতি অস্তিত্বহীন বুলি কলেও মিছা কোৱা নহয়। যি কোনো জাতিয়েই হওক, জাতীয় উন্নতি কৰিবলৈ হ'লে যিবিলাক উপাদানৰ আৱশ্যক হয়, জাতীয় বীৰপূজাও যে তাৰ অন্তৰ্ভুক্ত আৰু প্ৰধান এক উপাদান, তাক কোনেও নুই কৰিব নোৱাৰে। বীৰসকলৰ সৌৱৰণীত সদাই সঞ্জিবনী-শক্তি বিৰাজমান, আৰু সেই মহাপুৰুষসকলৰ জীৱনৰ কাৰ্য্যপ্ৰণালী আলোচনা প্ৰত্যেক পতিত জাতিৰ পক্ষেই পুনৰুদ্ধাৰৰ উপায়।

আজি যি গৰাকী বীৰপুৰুষৰ সৌৱৰণি তিথিত, যাৰ নামত ভক্তিৰ অঞ্জলি দিবলৈ আমি সকলোটি আহি ইয়াত উপস্থিত হৈছোঁহক, তেওঁ এগৰাকী এই দেশতেই সন্তান আছিল, তেওঁ এগৰাকী অসমীয়া মানুহেই। আজি প্ৰায় ২৬৯ বছৰ হৈছে, এইজনা বীৰপুৰুষে মুছলমানৰ চতুৰ্দ্দশ আক্ৰমণত (যাক ছপা হোৱা বুৰঞ্জীবিলাকত ১২শ আক্ৰমণ বুলিছে) অসমীয়া মানুহৰ সাহ-পিত, অসমীয়াৰ স্বদেশ প্ৰেম কি আৰু স্বাৰ্থত্যাগ কেনেকুৱা, তাৰ জ্বলন্ত প্ৰমাণ দি, অসমীয়া জাতিৰ মুখ উজ্জ্বল কৰি থৈ গৈছে। বৰ্ত্তমান কালত আমি অসমীয়াবোৰে কানীয়া, সোৱোপা আৰু উদ্যমহীন বুলি জগতৰ ওচৰত প্ৰসিদ্ধ। আজি অসমীয়াইলে চাই কোনেও ভাবিব নোৱাৰে যে এই জাতিৰ ভিতৰত বীৰ পুৰুষৰ আবিৰ্ভাব হ'ব পাৰে। কিন্তু আমাৰ এনে এদিন আছিল, যেতিয়া আমাৰ মাজৰ পৰাই অনেক মহা মহা পুৰুষৰ আবিৰ্ভাব হৈছিল। কি ধৰ্ম্মক্ষেত্ৰত, কি ৰাজনীতি ক্ষেত্ৰত, কি ৰণক্ষেত্ৰত, কি সামাজিক জীৱনত, সকলোতেই অসমীয়াই বিশেষ পাৰদৰ্শিতা দেখুৱাই আইৰ মুখ উজ্জ্বল কৰি থৈ গৈছে। ধৰ্ম্মক্ষেত্ৰত মহাপুৰুষ শঙ্কৰদেৱ, মাধবদেৱ আৰু দামোদৰ আদিৰ কথা ভাবতত সকলোৱে জনাজাত; ৰাজনীতি ক্ষেত্ৰত বিশেষকৈ নাম লব লগা চন্দ্ৰধ্বজ সিংহ, গদাধৰ সিংহ, ৰুদ্ৰসিংহ, পূৰ্ণানন্দ বুঢ়াগোঁহাঁই, কলিয়া ভোমোৰা বৰফুকন প্ৰভৃতিৰ নাম চিৰপ্ৰসিদ্ধ; ৰণক্ষেত্ৰত মৰাণগড়ী বান্ধা আৰু কন্মিনী, মুলাগাভক, চিলাৰায়, লাচিত বৰফুকন আৰু সন্ধিকৈ বৰ-ফুকন ইত্যাদিৰ কীৰ্ত্তি চিৰস্মৰণীয়। স্বাধীন আৰু স্বদেশৰ ভবিষ্যৎ মঙ্গল অৰ্থে প্ৰাণদিওঁতা অসৰৎ মহাসতী জয়মতী কুঁৱৰীৰ কথা জগতত আজি কোনে নাজানে? এইসকলৰ অতীত স্মৃতিলৈ যেতিয়া আমি মনত পেলাওঁ, সঁচাকৈয়ে আমাৰ মনত দুমাওঁ দুমাওঁ হোৱা আশাৰ বস্তি আৰো দিমিকি দিমিকি জ্বলি উঠে, আৰু সেই স্মৃতিয়ে বৰ্ত্তমান আৰু ভবিষ্যতৰ অসমীয়া জাতিকো সদাই নিশ্চয় উৎসাহিত আৰু অনুপ্ৰাণিত কৰি থাকিব। যি অসমীয়া আজি নিৰুৎসাহী, উদ্যমহীন, এলেহুৱা, কানীয়া সোৱোপা, সেইসোৱৰ অন্তৰতো সেই স্মৃতিয়ে আকৌ আশা আৰু উদ্যম নিশ্চয় জগাই দিব, ই ধ্ৰুৱ।

আজি যিজনা বীৰপুৰুষৰ সৌৱৰণি তিথি তেখেতৰ নাম লাচিত বৰফুকন। তেখেতৰ জীৱনীৰ পৰা তেখেতৰ বুদ্ধি, তেখেতৰ বীৰত্ব, স্বদেশ-প্ৰেম, স্বদেশৰ হকে আত্মোৎসৰ্গ, তেখেতৰ চৰিত্ৰবলৰ জেউতি, কৰ্ত্তব্যনিষ্ঠা, দৃঢ়মনস্কতা, অধ্যৱসায় আৰু ৰাজভক্তি আদি অনেক সদ্গুণৰ চানেকি অসমীয়াই, বিশেষকৈ আমাৰ ছাত্ৰবন্ধুসকলে পাৰলৈ আছে। মই অনুমান কৰোঁ, তেখেতৰ কথা নজনা আপোনালোকৰ ভিতৰত কোনো নাই; গতিকে তেখেতৰ জীৱনী সম্পৰ্কে বিশেষকৈ বহুলাই একো নকৈ, তেখেতৰ যুদ্ধক্ষেত্ৰ সম্বন্ধীয় কেইটামান ঘটনা মাথোন যথাসম্ভৱ চমুকৈ উল্লেখ কৰিম, আৰু তাকো নিজৰ কথাবে নকৈ, পাৰ্য্যমানে অতীত কালৰ প্ৰাচীন বুৰঞ্জী আৰু কৃতবিদ্য লোকসকলৰ ভাষাত কবলৈ চেষ্টা কৰিম। গতিকেই আমি এতিয়া অসমবুৰঞ্জীৰ লগত অলপ উজাই যাব লাগিব।

ইং ১৬৬১ চনত দিল্লীৰ বাদছা আৱঙ্গজেবৰ সেনাপতি মীৰজুমলাই আহোম ৰাজ্য আক্ৰমণ কৰেহি। সেই সময়ত নামনি অসমত আহোম ৰজাৰ কেইবাটাও ভাল ভাল কোঠ আছিল। তাৰ শিমলুগড়ৰ কোঠত প্ৰায় দুহেজাৰমান অসমীয়া সেনা বৰীয়া আছিল। মীৰজুমলাই প্ৰথমে সেই কোঠকৈ ভালেদিনলৈ বেৰ দিছেহি। অসমীয়া সেনা বহুসংখ্যক মোগল সেনাৰ ওচৰত তিষ্ঠিব নোৱাৰি,

এদিন ৰাতি আটাইখিনি পলাই ফাঁট মাৰিলে। এই সুবিধাতে মীৰজুমলাই শিমলুগড়ৰ কোঠ অধিকাৰ কৰি বহে, আৰু কোঠ লোৱাৰ পাছত, কোঠ সোমাই আহোমৰ কোঠ নিৰ্ম্মাণ কৰা চুকৌপল দেখি স্তম্ভিত হয়। ইয়াৰ পাছত মীৰজুমলা দলেবলে গড়গাঁৱলৈ আহে। ইয়াৰ আগেয়ে যদিও মুছলমানবিলাকে ত্ৰয়োদশ বাৰ এই দেশ আক্ৰমণ কৰিছিল, সেইবিলাক আক্ৰমণৰ কোনোটোৱেই উজনি অঞ্চল পোৱাহি নাছিল, গতিকে সেই সময়ৰ আমাৰ ৰজা জয়ধ্বজ সিংহই মীৰজুমলা গড়গাওঁ পাবহি বুলি সপোনতো ভাবিবাহিল, আৰু যুদ্ধৰ নিমিত্তেও একো প্ৰস্তুত হৈ থকা নাছিল। সেই সময়ত বিদেশী এই দেশলৈ আহিবলৈ কোনো সুগম বাটপথ নাছিল; মীৰজুমলাই অনেক কষ্টে সেনাবিলাকৰ হতুৱাই হাবিবন কটাই বাট মোকোলাই আহি আহি, ভালেদিনৰ মুৰত গড়গাওঁ পালে। হঠাৎ অসংখ্য যোগল সেনানিবে সৈতে মীৰজুমলাক গড়গাহত দেখা পাই, জয়ধ্বজ সিংহ চবাই-খোৱাবোঁলৈ ভাগি গল (সেই কাৰণেই তেওঁক মানুহে ভগীয়া ৰজা নাম দিছিল)। উপায়ান্তৰ নেদেখি, আমাৰ কিছুমান ফুকন বৰুৱাই মীৰজুমলাৰ বশ্যতা স্বীকাৰ কৰিলে। কাজেই মীৰ-জুমলাই বিনাযুদ্ধেই গড়গাওঁ নগৰ অধিকাৰ কৰি ললে। তাৰ পাছৰ বছৰ—ঘোৰ বাৰিষাৰ দিনত, ব্ৰহ্মপুত্ৰ ওফন্দি পৰিল, যোগলৰ অশ্বাৰোহী সেনাৰ ঘোৰাবোৰে ঘাঁহ খাবলৈ নাপাই মৰিবলৈ ধৰিলে। এই সংবাদ পাই, আমাৰ ৰজাই ঠাইতেই চবাই-খোৱাবোঁৰৰ পৰা ওলাই, লগত কিছুমান সেনা গোটাই লৈ মুছলমানক আক্ৰমণ কৰিলে। সেই সময়তে মুছলমান সৈন্যৰ ছাউনীত বৰজহনীয়েও দেখা দিলে, আৰু প্ৰতিদিনে অলেখ সৈন্য মৰিবলৈ ধৰিলে। মীৰজুমলাই গতি বিষম দেখি দেখি সন্ধিৰ প্ৰস্তাৱ কৰিলে। আমাৰ জয়ধ্বজ সিংহ মহাৰাজাই পূৰ্ব্বে ভাগি গৈ ভগীয়া নাম পালেহি, এতিয়া কিজানি আকৌ যুদ্ধত হাৰি পুনৰ ভাগি পলাবহি লাগে, ইয়াকে ভাবি মীৰজুমলাৰ প্ৰস্তাৱতে তেওঁ সন্ধি কৰিবলৈ সম্মত হ'ল। সেই সন্ধিৰ স্বৰ্ত্তমতে, মীৰজুমলাই ওৱাহাটীৰ পৰা গড়গাৱঁলৈকে যিখিনি দেশ অধিকাৰ কৰিছিল, তাক আমাৰ ৰজাক এৰি দিয়ে আৰু আমাৰ ৰজাই তাৰ বাবে আৱঙ্গজেব বাদছালৈ তেওঁৰ নিজা জীয়েক বমণী গাভৰু, আৰু বাদছাৰ পুত্ৰকেলৈ তেওঁৰ ভায়েক তিপাম ৰজাৰ (যি পাছত চক্ৰধ্বজ সিংহ নাম লৈ ৰজা হৈছিল) জীয়েক মোহনী গাভৰুক (অলঙ্কাৰপাতি এৰি, কুৰি হেজাৰ সোণ, চুকুলি হেজাৰ ৰূপ, একুৰি হাতী, বন্দী ১০০, ঘেটা ১০০, এইখিনি যৌতুকত দি) সালঙ্কৃতাকৈ দি পঠায়, আৰু বহুবি, ২০টা হাতী, আৰু পেচকচৰ বাবে "গোণ কৰকে তিনি লাখ ৰূপেয়া, (চাৰ চাৰ মহিনে একলাখ কৰকে বাৰ মহিনালৈ) আওৰ নঙ্কৈ হাতী (বৰ দন্তাল ১০, ছোৱা দন্তাল ১০, হাতিনী ১০, এই ত্ৰিছ হাতী, আওৰ ভালমন্দ ৩০ হাতী, সব গৈ ককৈ ৯০ হাতী) ত্ৰিছ মহিনা"ত দিবলৈ গাত ল'লে। মীৰজুমলায়ো তাতে সন্মত হৈ আমাৰ দেশ এৰি গুচি গ'ল। আৱঙ্গজেব বাদছাই সন্ধিৰ কথা শুনি, আৰু বিশেষকৈ আহোম ৰজাৰ চুজনা গাভৰু লাভ কৰি পৰম সন্তোষ পালে, আৰু তাৰ বাবে গাভৰুসকলৰ লগত পৰামৰ্শ কৰি আমাৰ ৰজালৈ উপঢৌকন পঠাবলৈ স্থিৰ কৰিলে।

এনেতে জয়ধ্বজ সিংহ স্বৰ্গী হল, আৰু তেওঁৰ ঠাইত তিপাম ৰজা চক্ৰধ্বজ সিংহ নাম লৈ আহোম সিংহাসনত ৰজা হল। ইয়াৰ কিছুদিনৰ পাছতে দিল্লীৰ পৰা বাদছাহে জয়ধ্বজ সিংহলৈ বুলি দিয়া 'খটাবকৃচি' (বা উপঢৌকন) লৈ আহি সেক মোল্লাক, দৌৰ্ব্বেগ আৰু বাজম বেগ, এই তিনি কটকী আমাৰ লথৌ পালেহি। পাছে জয়ধ্বজ সিংহ ঢুকাবৰ শুনি, সিহঁতে ঢাকাৰ নবাব চায়েস্তা খাঁক সুধি লথৌৰ পৰা আমাৰ ৰজা চক্ৰধ্বজ সিংহলৈ এই বুলি কৈ পঠালে বোলে "বাদছাহে মহাৰাজালৈ ঘটা দিছে, ৰবাবুকৰ আহিব লাগে আগবাঢ়ি নিবলৈ; মহাৰাজাও হাত পাতি ল'ব লাগে।" চক্ৰধ্বজ সিংহ বৰ তেজিয়ান আৰু অভিমানী ৰজা আছিল। তেওঁ বোলে "মই স্বতয় ৰজা, একোকালে পৰৰ অধীন হোৱা নাই, তাৰ ঘটা কেনেকৈ লম?" এই বুলি পাত্ৰ মন্ত্ৰী সকলোৰে পৰামৰ্শ কৰি, পাঁচত মুছলমানৰ কটকীক তুলিলে; সিহঁতে আমাৰ ৰজাক 'তছমিন' (তছ্লিম?) কৰিলে, সেয়া নকৰিলে, তছ্মিন কৰি ঘটা আগ বঢ়াই দিলে।" ইয়াত আমাৰ বজাই মনতে বৰ অপমান

বোধ কৰিলে, আৰু বাদছালৈ বৰ খং হল। ইয়াৰ পাছত ৰছিদ খাঁই বাদছাহৰ আদেশমতে সেক মোল্লাক, দৌৰ্ব্বেগ আৰু ৰাস্তুম বেগক বাকীধন সাধিবৰ কাৰণে আমাৰ ৰজাৰ ওচৰলৈ পঠালে। পূৰ্ব্বে জয়ধ্বজ সিংহই মীৰজুমলাৰ লগত কৰা সন্ধিমতে 'পেচকচ'ৰ বাবে যি ধন দিবলৈ হৈছিল, তাৰ কিছুধন আদায় কৰিবলৈ আমাৰ বাকী আছিল। সিহঁতক আমাৰ ৰজাৰ ওচৰত ভেটাবলৈ নিলত সেক্ মোল্লাকে বোলে "পূৰ্ব্বে দৌৰ্ব্বেগ আৰু ৰাস্তুম্ বেগৰ লগত মই মহাৰাজাক 'তচমিন' কৰিছোঁ, এখনেও মই 'তচমিন' হে কৰিতে পাৰোঁ, চালাম কৰিতে নাপাৰোঁ।" "এই কথা মহাৰাজা শুনি বোলে, পূৰ্ব্বে সিহঁতে বাদছাৰ বকচি আনিছিলে, সেই বুলি চালাম নকৰিলে। এতিয়া সিহঁত (গুৱাহাটীৰ থানাদাৰ) ৰছিদ খাঁৰহে কটকী, সিহঁতে কিয় চালাম নকৰিব?" এই বুলি সিহঁতক খেদি পঠাবলৈ কলে। "পাছে মহাৰাজাৰ খং হেন জানি মুছলমান কটকীয়ে চালাম কৰিবলৈ সন্মত" হোৱাত সিহঁতক ৰজাত ভেটালে। আমাৰ ৰজাই বোলে "আমাৰ (দুই) গাভৰু, তিনি লাখ টকা, নব্বৈ হাতী, এই সকল ৰাজ্য ৰক্ষাৰ নিমিত্তেহে দিলো, এখন আমাৰ সীমা লাগে,—যি সীমা কবুল কৰিলো, তাকো আমি নাপালো।" এই বুলি আমাৰ ইয়াৰ পৰা দুই কটকীক লগত দি, মুছলমানৰ কটকীক বিদায় দিলে। ইয়াৰ উত্তৰত ঢাকাৰ নবাব চায়েষ্টা খাঁই আমাৰ দুই কটকীৰ আগত কৈ পঠালে বোলে, "তহঁতে যি সীমাৰ কাৰণ কহিলি, সি কোচভি মুলুক (অৰ্থাৎ কোচ ৰজাৰ ৰাজ্য) তাক খুজিলে কেমনে পাইবি?" এই কথা আহি আমাৰ কটকীয়ে মহাৰাজাত কলেহি। মহাৰাজাৰ তাতো বৰ খং হল।

"পাছে মহাৰাজাই বোলে, ই কি কথা? আমি আপোনাৰ জী, এতেক সোণ-ৰূপ বন্দী-বেটী দিলো,—তথাপি আমি যি সীমা খুজিলো, তাকো নাপালো। তাতে আকৌ বঙ্গালে কি ধন খোজে? (প্ৰাচীন বুৰঞ্জীত বিদেশী মাত্ৰকে বঙ্গাল আখ্যা দিছে, এইখিনিত বঙ্গাল শব্দে মুছলমানক বুজাইছে।) এনে বিলাক বঙ্গালৰ মতিগতি কি বুজিবা?.....বঙ্গালৰ তলতীয়া হৈ চই দি থকাত কৰি ৰণ দিয়াই হে যুগুত। এই বুলি বৰুৱা ফুকন সকলেৰে পৰামৰ্শ কৰি, লোকজন গোটাই, খাৰবাখৰ কাৰ-ধেনু, হিলৈ মৰাবলৈ ধৰিলে, আৰু খুৱাই বুৱাই মনকো বঢ়ালে।" সেই সময়ত বৰফুকন কলিয়াবৰতহে থকাৰ নিয়ম আছিল, আৰু তাত তেতিয়া ঘোৰাকোৱৰ বৰফুকন হৈ আছিল। "তেওঁকে ভাঙ্গি গড়গাৱঁত আনি ভিতৰুৱাল ফুকন পাতি, তেওঁৰ মূৰে মোমাই তামুলী বৰবৰুৱাৰ পুতেক লাচিতক বৰফুকন পাতি বঙ্গাল ধৰিবাক মন কৰি কলিয়াবৰলৈ পঠালে।" লাচিতে প্ৰথমতে নিচেই সৰু বিষয়ৰ বাবহে খাইছিল, তাৰ পৰা ক্ৰমে তেওঁ নিজৰ কাৰ্য্যকুশলতাৰ বলত ডেকাফুকনৰ বাব পাইছিলগৈ। সেই পদৰ পৰাই তেওঁ বৰফুকনৰ দায়িত্বপূৰ্ণ বিষয়খন লাভ কৰে।

লাচিতক কলিয়াবৰলৈ পঠাই, ইফালে আমাৰ ৰজাই যুদ্ধৰ আহিলাপাতি যোগাৰ কৰাত লাগি গল। বাঁহগড়ীয়া আতন বুঢ়াগোহাই তেতিয়া আহোম ৰজাৰ ৰাজমন্ত্ৰী। তেখেতৰ লগত পৰামৰ্শ কৰাত তেখেতে স্বৰ্গদেৱক কলে বোলে "স্বৰ্গদেও সকল দিন স্বতন্ত্ৰ ৰজা, বঙ্গালৰ আইচটি কিকৈ সহিব?.....পাৰিতপক্ষে যেনেতেনে উপায় কৈ বঙ্গালক ধৰিব লাগে.....ৰাজ্যকো আহিলাপাতি জোৰাই দিব লাগে। সিও আহিলা পাতি মাৰিলে, আৰু বাৰ দিব লাগে। এইৰূপে বাৰম্বাৰ দিব লাগে, এতেকে আহিলা পাতি ভালেখিনি হব লাগে। মানুহ চৰা নাৱত উঠিব, আগৰ বৈছা পাছৰ বৈছা, মাজৰ বৈছা, তিনিৰো একেবাৰে চাব পৰিলে, দেখিবলৈও ভাল, বাওঁতায়ো উৎসাহ পায়, নাৱো চলে, কঢ়াৰিও দি ছল পায়। আগৰ, মাজৰ, পাছৰ তিনিৰো তিনিচাব যদি হ'ল কঢ়াৰিও দি ছল নাপায়, নাৱো নচলে, দেখোতায়ো ভাল নেদেখে। চৰায়ে পোৱালি তোলে, ঠোঁটত ধৰি উৰুৱাই চায়। পাখী যদি গজিল, উৰিব যদি পাৰিলে, মাইকীৰ লগত চৰিবুলি আহি বাস লয়হি। পাখী যদি সমান হ'ল, মাইকীয়ে আহাৰ দিব নোৱাৰি উৰুৱাই নিয়ে। এক উৰাণ দি পৰেগৈ, দুনাই বাস নাপায়হি, কোনো শিয়াল কুকুৰে খায়,—নাই মানুহে ধৰি নিয়ে, দোৱাবাৰ বাঁহ নাপায়। কুমাৰে চক বেচে, পাইকে হাতত লৈ বজাই চায়। যদি হাতত বাজিল,

চাৰি কড়া কড়িকো দিয়ে, চককো নিয়ে; সেয়ে যদি হাতত নাবাজে, নিয়ে নে কি?" বুঢ়াগোহাঁয়ে এই বুলি কোৱাত মহাৰাজাই ভাণ্ডাৰত যুদ্ধৰ আহিলাপাতি কি আছে চাবলৈ মন কৰি জয়ানন্দ ভৰালী বৰুৱাক মতালে। ভঁৰালী বৰুৱাই বোলে "খাৰৰ নামে এপেৰাও নাই, গুলিৰ নামে চাৰি পেৰাও নাই, কাঁৰৰ এক কাঠো নাই।" এই কথা শুনি স্বৰ্গদেৱে কমাৰ প্ৰভৃতিক ৰাতিয়ে দিনে যুদ্ধৰ আহিলা-পাতি গঢ়িবলৈ আদেশ কৰিলে। "নাওশলীয়া বৰুৱাক, ওজাক বটাবাহন দি উচ্চাহ বঢ়াই নাও সজালে। সেই সময়ত কাঁৰ-ঘৰ, খাৰ-ঘৰ গড়ৰ ভিতৰ কৰিলে, বৰদুৱাৰৰ মুখতে কমাৰ শাল কৰিলে, বোলে মই আহি দেখিব লাগে। তাত পাছে মহাৰাজাই বঙ্গালক ধৰিবলৈ মন কৰি লোকজনৰ বলাবল বুজিবৰ কাৰণে তেলিয়া-ডোঙ্গাৰ পৰা জাঁজি মুখলৈ আলি বন্ধালে।.....মহাৰাজা (নিজে) ওলাই কাঁৰীক কাঁৰ মৰায়, হিলৈদাৰীক হিলৈ মৰায়, বাৰুৱতীক বাৰু চৰায়; ৰূপ, কাপোৰ, তিৰোতা, গাখীৰ, মাছ, লোন, চাউল, এই সকল দি লোকজনৰ উচ্চাহ বঢ়ায়।.....মহাৰাজা কাঁৰ-খলাত আপুনি ফুৰি যিটে কাঁৰ মাৰিব নোৱাৰে তাক চপাই আনিব দিয়ে, আপুনি ধনুৰ মুঠিত ধৰি কাৰ মৰায়। এইৰূপে মহাৰাজা ৰাইজৰ উৎসাহ শক্তি বঢ়াই বঙ্গালক ধৰিবলৈ মন কৰিলে।"

ইফালে লাচিত বৰফুকন আহিয়েই, প্ৰথমতে মুছলমান বিলাকৰ বাঁহবাৰী আৰু কাঁজলীমুখৰ কোঠ দুটা কাঢ়ি লয়, আৰু সেই ৰণ জিকি বন্দী, হিলৈ, ঘোৰা আৰু আন আন বস্তু-বেহানি যি পাইছিল, সেইবোৰ গড়গাৱঁলৈ পঠাই দিয়ে। তাৰ পাছত তেওঁ কাজলীত আৰু লতাশিলত আমাৰ দুটা কোঠ মৰায়, আৰু তাত ৰখীয়া সেনা দি, ক্ৰমে তেওঁ দলেবলে গুৱাহাটীৰ ফালে অগ্ৰসৰ হয়। গুৱাহাটী পায়েই, তেওঁ মুছলমানৰ গুৱাহাটীৰ আৰু পাণ্ডুৰ কোঠ অৱৰোধ কৰে। অনেক কষ্টে, অনেক চেষ্টা কৰি মুছলমানবিলাকে সেই কোঠ প্ৰায় দুমাহ ৰক্ষা কৰি, পাছত বৰফুকনৰ সেনাক এৰি দিবলৈ বাধ্য হয়। তাতো অনেক মুছলমান সৈন্য বন্দী হয়, আৰু কোঠৰ ভিতৰত বহুত হিলৈ আৰু ভালেখিনি ধনবস্তু পালে। বন্দী কৰা সৈন্য আৰু হিলৈবোৰ ৰজাৰ নগৰলৈ পঠাই দি, বাকী ধন-সম্পত্তিখিনিৰ তেওঁ তৃণ এডালো নাৰাখি, তেওঁৰ সৈন্যবিলাকৰ মাজত ভগাই দিলে। স্বদেশৰ মঙ্গলৰ অৰ্থে লাচিতৰ ইও এক মহৎ স্বাৰ্থত্যাগ বুলিব লাগে। তেওঁৰ তেনে কাৰ্য্যত সেনাবিলাকৰ উৎসাহ বাঢ়ি যুদ্ধপিপাসা দুগুণে চৰিল আৰু লাচিত বৰফুকনৰ ওপৰত সিবোৰৰ বিশ্বাস আৰু প্ৰীতি দৃঢ়তৰ হ'ল। ইয়াৰ পাছত মুছলমানে আকৌ এবাৰ বৰফুকনৰ সেনাক আক্ৰমণ কৰিছিল, কিন্তু সিবিলাক সেই ৰণত লাচিতৰ আগত তিষ্ঠিব নোৱাৰিলে। মানাহামুখত আমাৰ সেনাই ভেটি ধৰি মুছলমানৰ বিস্তৰ সেনা কাটিলে, আৰু কেইবা হাজাৰো সৈন্যেৰে সৈতে চৈয়দ ফিৰোজ, চৈয়দ চানা, মীৰবকচ প্ৰভৃতি সেনাপতি কেজনক বন্দী কৰি, সেনাপতি কেজন গড়গাৱঁলৈ বান্ধি দি, বাকী বন্দী সৈন্যবোৰক গুৱাহাটীতে তৰোৱালৰ আগত দি তেওঁ ৰণৰ পিয়াহ মিটালে।

এই সংবাদ গৈ দিল্লীত আৰঙ্গজেব বাদছাৰ কাণত পৰিলগৈ। তেওঁ তাত বৰ অপমান বোধ কৰি, পুনৰ কিছুমান ভাল ভাল যুজাৰু সৈন্যেৰে সৈতে অম্বৰ প্ৰদেশৰ ৰজা ৰামসিংহক প্ৰধান সেনাপতি পাতি দি লাচিত বৰফুকনৰ লগত যুজিবলৈ পঠালে। লাচিতেও তাৰ বুজ পাই, তেওঁৰ বিচক্ষণ বুদ্ধিৰে ৰামসিংহক প্ৰতিবন্ধক দিবলৈ ঠায়ে ঠায়ে কেবাটাও কোঠ বহুৱাই তাত একোজন দায়িত্ব-পূৰ্ণ বিষয়াৰ তলত ভালেখিনি ৰখীয়া সেনা দিলে। তেতিয়া খৰালি কাল আছিল। লাচিত বৰফুকনে ভাবিলে, বাৰিষা হলেহে মুছলমানক ভালকৈ এসেকা দিব পৰা হ'ব। এই ভাবি তেওঁ যুদ্ধ পলম কৰিবৰ অভিপ্ৰায়ে ৰামসিংহৰ ওচৰলৈ কটকী পঠালে, বোলে "তেওঁ যুদ্ধক আসে কিয়? ইয়াৰ সম্ভেদ আমি একো পোৱা নাই। ইয়াৰ সম্ভেদ আমাক কহিতে হয়।" এই কথাৰ উত্তৰত ৰামসিংহে বৰফুকনলৈ কৈ পঠালে বোলে "পূৰ্ব্ব প্ৰীতি মতে গুৱাহাটী পাটছাৰহে ৰাজ্য, এতেকে গুৱাহাটী ছাৰি দিওক, নহলে দুই ঘৰীমান যুজিও চাব পাৰে, আৰু বোলে তালৈকো যদি অসমৰ তীৰ বন্দুক নাই, তেওঁক খুজিলে, তেওঁ তাকো দিব পাৰে।"

কটকার মুখে এই কথা শুনি, লাচিত বরফুকনে ৰামসিংহলৈ কৈ পঠালে বোলে "শুনিছোঁ, ৰামসিংহ অম্বৰৰ অধিপতি, মান্ধাতাৰ বহুহ, জয়সিংহৰ পুত্ৰ, আৰু ক্ষত্ৰীয় বংশৰ গৌৰৱ স্বৰূপ। ইহেন লোকৰ মুখত এনে সৰু কথা কিমতে ওলাল? দুই ঘৰীমান যুঁজাৰ যে কথা কয়, ২।৪ বছৰ যুঁজিবলৈ সাহ নাই নে কি? আৰু যে তোৰ বন্দুকৰ কথা কয়, সেইবোৰ এখন তেওঁৰ ঠাইতে থাওক, পাছে লাগিলে আমি অনা হ'ব। ওৱাহাটী কিন্তু ঈশ্বৰে আমাক দিছে, তাক বন্দালক কপালি এৰি দিয়া নেযায়।" এই কথা শুনি, ৰামসিংহে তেওঁৰ সৈন্যবিলাক লৈ আগিয়াঠুঁটীৰ ফালে খোজ ললে।

আজিকালি আমিনগাওঁ বোলা ঠাইৰ ওচৰত, আগিয়াঠুঁটীৰ পৰা ওৱাহাটীলৈকে অহা বাটত এঠা গড় মৰাবলৈ লাচিতে তেওঁৰ মোযায়েককে ভাৰ দিছিল। কাইটৰ ৰামসিংহৰ সেনাই সেই বাটেই ওৱাহাটী আক্ৰমণ কৰিবলৈ আহিব, আৰু আমাৰ সেনাই সেই গড় মৰা ঠাইতে মুছলমান সেনাক আগভেটা দিব লাগিব; গতিকেই গড় আৰু খাৰৈ খাতিৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিবই লাগিব, নহ'লে আহোম ৰাজ্যৰ পতন অনিবাৰ্য্য। লাচিতে গড়লি গৈ দেখে যে গড়ৰ আধাখিনিও হোৱা নাই। মোযায়েকক তাৰ কাৰণ সোধাত, "দিনে বাতিয়ে কাম কৰি মানুহ হাইৰাণ হৈ পৰিছে আৰ কি কৰিব?" এই বুলি কোৱাত লাচিত বৰফুকনে সাউৎকৈ নিজৰ তৰোৱালখন ফাঁকৰ পৰা উলিয়াই, মোযায়েকক দুভোখৰ কৰি কাটিলে, আৰু বোলে, "মোআই মোৰ দেশতকৈ ডাঙৰ নহয়"। সেই গড় এতিয়াও আছে আৰু সি "মোআইকটা গড়" নামে প্ৰসিদ্ধ। বৰফুকনৰ এনে কাৰ্য্য দেখি, মানুহবোৰে তেওঁৰ বৰ খং উঠিছে যেন জানি য'তে যেয়ে যেনেকৈ আছিল, সকলোটি ওলাই আহি প্ৰাণটাকি গড় বান্ধিবলৈ লাগিল। আৰু সেই বাতিয়েই গড় আৰু খাৰৈ প্ৰস্তুত কৰি পেলালে। পাছ দিনা তাতে মুছলমানৰ লগত আমাৰ বৰফুকনৰ সেনাৰ যুদ্ধ হ'ল; আৰু মুছলমানবিলাক সেই যুদ্ধত সমূলে হাৰিল; কিন্তু সিহতে আমাৰ গড়ৰ ২৪ খেও খহালে। এই গড় খহোৱাৰ কথা আমাৰ বন্ধাই বুজ পাই বহুত অসন্তোষ কৰিলে, আৰু বৰফুকনলৈ এই বুলি কৈ পঠালে বোলে "যেনে তেনে বন্দাল যিনি ধৰি দিওক।" ইয়াৰ উত্তৰত আমাৰ লাচিত বৰফুকনে স্বৰ্গদেউলৈ জনাই পঠালে বোলে "আছল-আবল ঠাই, আষাঢ়ৰ পানীয়ে কাৰণে ধৰিবলৈ উপায় নাপাইছো, ছলে বলেহে পাৰি, তেওঁৰ বহু পুৰুষাৰ্থ কৰিছো।" এই কথা শুনি মহাৰাজাই খং কৰি পুনৰ্ব্বাৰ বৰফুকনলৈ এই বুলি পঠালে বোলে "বন্দাল কাটে বুলি সিহত আগ নাবাঢ়ে, মই কাটিলেও কটা যায়। যি বোৱে যুঁজিব নোহোৱে তাৰ মুৰ কাটি দিয়া হওক, মই যুঁজ কৰা মানুহ পাম।" এই বুলি হাৰিব ঝাঁটা, বেটাৰ মেখেলা ফুকন ৰোৱলে দি.....দাই ধৰি পঠালে। বৰফুকনেও স্বৰ্গদেউৰ খঙ্গ হেন জানি মনত বহু অসন্তোষ বেজাৰ কৰিলে, আৰু ততাতৈকে গড়ৰ পৰা ওলাই বন্দালৰ সমীপ চাপি, গড় দি বহি লুইত আগকে নাৰে গৈ বন্দালক ধৰিলেগৈ। আমাৰ লোকজনক বেৰি ঘোৱা দেখি বন্দালো হুহকি গৈ ভাগে হেন হ'ল। পাছে আমাৰ বোৱে তাৰ বস্তুজাত লুটি আনোতে বন্দালৰ ডুবকচৰাবে ঘোৱা মেলি আমাৰ মানুহক ধৰিলেহি। আমাৰ মানুহ ৰহিব নোৱাৰি পুনৰ্ব্বাৰ গড়ৰ ভিতৰত সোমাই ৰহিলহি। আমাৰ মানুহো বন্দালে বিস্তৰ কাটিলে, মুঠতে দহ হেজাৰ মানুহ টুটিল।"

এই দুর্ঘটনাত লাচিত বৰফুকনে বৰ দুখ পালে, বোলে "ডাঙৰ কাৰ্য্য কামত ইমান মানুহ নপৰিলে, অলপ কাৰ্য্যতে আজি দহ হেজাৰ লোক পৰিল, স্বৰ্গদেউে শুনি গড়ঘাত মোক কি বুলিব।" এই বুলি বৰ অসন্তোষ কৰিলে। পাছে বুঢ়াগোঁহাঁয়ে শুনি বোলে "বাৰীৰ ভিতৰত পুখুৰি সিচা তেও আঠোটা দহোটা মানুহক শিৰিয়ে ফুটে, এতেকতে এই যুজত দুই চাৰি হেজাৰ লোক কিয় নপৰিব? এই কথা মহাৰাজাপিনে জনাবলৈ ভাল নহয়।" এই বুলি বুঢ়া গোঁহাঁয়ে কোৱাত, বৰফুকনেও সেই কথা বন্দালৈ নজনাই ভিতৰতে গোপন কৰি ৰাখিলে। ইয়াৰ পাছত মুছলমান প্ৰধান সেনাপতি ৰামসিংহে যুদ্ধ কৰি কোনো উপায়ে ওৱাহাটী লবৰ উপায় নেদেখি মীৰাকে, ৰামৰাই কালিক আৰু পণ্ডিত ৰাইকে (আমাৰ মহাৰাজালৈ এক লিখা পত্ৰ দি, বৰফুকনৰ গালৈ) পঠাই দিলে বোলে "আমাৰ ওৱাহাটী চাৰি দিওক, গড়ৰবা বাবদে তিনি লাখ টকা লওক, পূৰ্ব্ব ধাৰণে প্ৰীতি হৈ থাকো।" এই কথা শুনি বৰফুকনে কৈ পঠালে বোলে "ভালাতো! আলিয়াৰ খাঁই মোৰ পিতৃ মোমাই তামুলী ৰৰবৰুৱাই পূৰ্ব্বে যি প্ৰীতি গোট বান্ধিছিলে, তাৰ সমান্য আজিও কহে। এখনে তোমাৰে আমাৰে প্ৰীতিটো চন্দ্ৰসূৰ্য্য থাকেমানে যেনেন ৰহে, তেনে থান কৰিবা। এই প্ৰীতি যদি ইচ্ছা থাকে, তবে মীৰাকে পণ্ডিত ৰাইকে পুনৰ্ব্বাৰ ফিৰাই পঠাই দিবা। এই বুলি, এক লিখা পত্ৰ দি ৰামহৰি কাজিবে, মীৰাবে পণ্ডিত ৰাইবে লগে, আমাৰ নিমাইকে বামচৰণ কটকীকে পঠাই দিলে। পত্ৰৰ লগত সন্দেশ দিলে—হাতীদাঁত ৪টা, গান্ধ ৬টা, কটাৰি ৪০খন, আগৰ কাঠ ৵১০ সেৱ,—গাথিন এক মোন। পাছে নিমাইকে বামচৰণকে তুলি, ৰামসিংহে বোলে ভালাতো! মীৰাকে পণ্ডিত ৰাইকে তহঁতৰ মহাৰাজাৰ ঠাইত পঠাই দিম, তহতে বৰফুকনলৈ জনাই পঠা" কটকীয়ে আহি কলত, বৰফুকনে সেই কথা মহাৰাজালৈ জনাই পঠালে বোলে "ৰামসিংহে মহাৰাজাৰ ঠাইলৈ মীৰাকে পণ্ডিত ৰাইকে পঠাব খুজিছে বুলি শুনিছোঁ।"

ইয়াৰ পাছত, যদা সময়ত ৰামসিংহৰ কটকী আহি আমাৰ মহাৰাজাৰ লগত সাক্ষাৎ হ'লহি; কিন্তু আমাৰ বন্দাই ওৱাহাটী এৰি দিয়া নিদিয়াৰ একো সমিধান নিদি, মীৰা আৰু পণ্ডিত ৰাইৰ লগত আমাৰ নিমাই আৰু ৰামচৰণ কটকীক দি, বিদায় দি পঠালে। ইয়াত ৰামসিংহই বৰ লাজ পালে, আৰু আমাৰ দুই কটকীক এই বুলি কলে বোলে "মই বাৰম্বাৰ উকীল পঠাওঁ, ভালাতো! একো হাচিল নহয়। এইবাৰ মই উকীল নপঠাওঁ।" এই বুলি ৰামসিংহে শপত কৰি বোলে, "তহঁতে মহাৰাজাত কৰি, মোৰ ওৱাহাটি চাৰি দিওক, আৰু চৈয়দ ফিৰোজৰ বেটা চৈয়দ চানাক চাৰি দিওক, আমি তিনি লাখ টকা দিম। ওৱাহাটী চাৰি দিওক, আতকৈ যদি মই বঢ়াই খুজিম (তাৰ তৰোৱাল উলিয়াই বোলে) মোক এই পৰমেশ্বৰীয়ে খাব (আৰু ডিঙিৰ মুকুতাধাৰ হাতত লৈ বোলে) মোক এই মহালক্ষ্মীয়ে এৰিব, আৰু মোৰ উৰ্দ্ধ পুৰুষ সকল নৰকত পৰিব। আৰু বোলে, তহতৰ মহাৰাজা যদি এই কথাত সজাত নাযায়, তবে লুইতৰ সমীপত মাধৱ গোসাঁই আছে, তাত যাই শপত কৰিম। আৰু তহঁতৰ বৰফুকনতো এই বুলিবি বোলে ভাই নবাবে (অৰ্থাৎ বৰফুকনে) যদি এই কথা গাত লব মই তেওঁ বেই খোজে তাকে দিম। এই বুলি উকীল পত্ৰ নেদি নিমাইকে ৰাম চৰণকে ফিৰাই পঠালে।.....পাটচাৰ আগত পূৰ্ব্বে ৰাম সিংহে যুদ্ধলৈ আহোতে সইত-শপত কৰি কৈ আছিছে, পাটচাৰো সইত-শপত কৰি বোলে, যদি তই এই কাম কৰিতে পাৰ, তোক "ওমবাও" কৰিব, আৰু বঙা দিব, যদি নোৱাৰিবি, গৰ্দ্দন মাৰিবো, ৰুবালুবি দাসদাসী বিদেশত মাৰিবো। এতেকেসে ৰামসিংহে ইমান কাৰবাৰ কৰি বৰফুকনলৈ "ভাবাৰ্থতত্ত্বে" এই বুলি কৈ পঠালে।

বৰফুকনে এইবিলাক কথা বন্দালৈ জনাই পঠালে, আৰু "বোলে ৰামসিংহে সইত শপত কৰি সীমা খুজিছে হয়, পাছে আমি সীমা দিলেও, ৰামসিংহে শপত খাবে কি নাখাবে? পাছে তেতিয়ানো কোন খান হব? ৰাম সিংহ এখন পাটচাৰ নকৰ হই আছিছে, পাছে পাটচাৰো বা নকৰৰ কথা বাখে কি নাখাবে? আৰু ওৱাসহিতে ওৱাহাটী এৰি দিলে আমি বা ক'ত ৰহিম?" পাছে আমাৰ বন্ধাই বৰফুকনৰ কথাকে বাখি ওৱাহাটী এৰি দিয়াটোকেই স্থিৰ কৰিলে। "পাছে ওৱাহাটী এৰি নেদিবৰ নিশ্চয় পাই বন্দাল সেনাপতি ৰামসিংহে নাবে, তবে পাওঁ, শৰাইখাটত ধৰি, উজাই আহি চাৰবৰুজত ৰহিলহি। বৰফুকনৰ তেতিয়া নৱিয়া টান। বন্দালৰ মনোহৰ খাঁৰ ভতিজাক ৰচিপ খাঁ,—লচিৰ খাঁ, মকুল খাঁ, ফিৰিঙ্গি বজা উৰভুজ, কপিতাম মৌ, এই পাঁচোটা সৰ্দ্দাৰ আহি নাৱেৰে হিলৈ কাঁৰেৰে যুদ্ধ কৰিলেহি। পাছে আমাৰ ৰহিব নোৱাৰি হুহকি আহি অমৰাজুৰী পালেহি। ইয়াৰ চাৰি দিনৰ আগে ৰামসিংহে পণ্ডিত ৰাইক পঠাই-ছিলে। সি গৈ ৰামসিংহক এই বুলি কলে বোলে, আহাৰ বালীত গড় নাই, ঘোৰা নাৱত তুলি নিলে বালীলৈ তুলি যুদ্ধ কৰিব পাৰিব। এতেকে তুবক চৰাব নাৱত পঠাব

লাগে, আৰু বোলে, বৰফুকনৰো এতিয়া নৰিয়া, উঠিব নোৱাৰে। এই কথা শুনি ৰামসিংহে ঘোৰাক নাৱত তুলি আনিছিল। ইতিপূৰ্ব্বে কিন্তু লাচিত বৰফুকনে পণ্ডিতৰাই যোৱাৰ পাছে দিনৰাতি কৰি আন্ধাৰবালীত গড় বন্ধালে, বোলে, নাজানি বঙ্গালে তুৰক্ চৰাৰ আনে। দুই শাৰী শালকাঠৰ খুটা পুতি, তাত নগা ঢাৰি পাতি মাজত বালী দি, গড় বন্ধালে। আন আন ডাঙ্গৰীয়া, বৰুৱাফুকন সকলে বৰফুকনৰ এনে বুদ্ধি দেখি নথৈ প্ৰশংসা কৰিলে। বঙ্গালেও বালী গড় বান্ধিলত ঘোৰা তুলিব নোৱাৰি, উত্তৰে ঘুৰীয়ালৈ পাৰ হ'ল। পাছে আমাৰ নাও হুহকি আহি অশ্বক্ৰান্ত পালেহি। পাছে মিৰী সন্ধি কাইৰ নৰা হাজৰিকায়ে পাণ্ডুৰ পৰা বৰফুকনলৈ এই বুলি কৈ পঠালে বোলে ৰাজ্য ভাগিল, ফুকনদেও নাহিলে, তল যাওঁহে। পাছে বৰফুকনে বোলে, ৰ'বি, চিলা পৰ্ব্বতত চাৰিকড়াৰ মাটি কিনিছো, মই নাযাওঁ, নৰাৰ কাল আছে যদি য'ক, (বৰফুকন) ৰাজ্যতকৈ পাছেহে যাব। পাছে নৰাহাজৰিকাই সেন্দুৰী ঘোপাৰ পৰা আহি অশ্বক্ৰান্তত স্বৰ্গদেৱৰ শৰণ দিলেহি বোলে "ৰাজ্য ঐ! শুনি যা, কাঁহিত বিহ ঢাল, তেহে ভাগ।" পাছে স্বৰ্গদেৱে এই কথা শুনি নৰা হাজৰিকাক মানুহ এহেজাৰ দিলে। লঠিয়াত আতন বুঢ়াগোহাই আছিল, থাকনি ঘৰ অশ্বক্ৰান্তত আছিল। হাতীবৰুৱাৰ পুতেক ভেকোলা ডেকাই বুঢ়াগোহাঁইৰ বস্তুজাত নাৱত ভৰা দিছিল, বৰফুকনৰো বস্তু নাৱত ভৰা দি লতাশীল পালেগৈ। বৰফুকনে নৰিয়া পৰি কাঁৰ-ঘৰৰ লোটতে আছিল। পাছে বঙ্গাল উজাই আহি জুৰীয়া পালেহি। বৰফুকনে শুনি বোলে, মোক পিৰাৰে বাটঘৰলৈকে নে, বঙ্গাল কিমান পাইছেহি চাওঁ। চাৰিটা ভূঞা পোৱালিয়ে চালপিৰাৰ চাৰি ফালে ধৰি বাটঘৰলৈ আনিলে। পাছে বৰফুকনে বঙ্গালক খেদি ধৰিবৰ মন কৰিলে। অচ্যুতানন্দ দলৈয়ে বোলে, অথন আগবাঢ়ি ধৰিবলৈ ভাল নহৈছে। বৰফুকনে বোলে, গণক! স্বৰ্গদেৱে নৌ কাটোতেই মই কাটিম। দলৈয়ে বোলে, কাটিবা। (দলৈয়ে) বাধা কৰিলত বৰফুকনে (বঙ্গালক খেদি গৈ নধৰিলে, কিন্তু) বাটঘৰত থাকি তিলে তিলে বাৰ্ত্তা লৈছিল। বৰফুকনে বোলে, বঙ্গাল দেখো অমৰা জুৰী পাৰ হ'ল, গণক! তয়ো কটা গলি, মোৰো দুৰ্যশ আনি চাউল, কানি মাৰিলি। পাছে ক্ষন্তেক থাকি দলৈয়ে বোলে, স্বৰোদৈত উত্তম পাইছোঁ, এতিয়া বঙ্গালক উঠি ধৰিব লাগে।"

"পাছে বাটচৰাৰ পৰা খৰঙ্গিৰ নদাইৰ গাত ধৰি বৰফুকন নাৱত উঠিলহি। ৰাজ্য ভাগিবৰ দেখি চহিয়ালে নাও উজাই মেলিব খুজিলে। বৰফুকনে বোলে, মোক স্বৰ্গদেৱে বঙ্গালক যুদ্ধ দিবৰ নিমিত্তে এই থল খানত (গুৱাহাটীত) সকলো লোক মোৰ হাতত দি থৈছে,—(এতিয়া গুৱাহাটী বঙ্গালক দি) নযুজি লৰা তিৰতাৰ লগলৈ যামনে কি? বন্দী চহিয়ালে মোত সুসুধি কিয় নাও উজাই মেলিব?" এই বুলি চাৰিটা চহিয়ালক নাকৈৱেৰে গদিয়াই পানীত পেলালে আৰু চাওডাঙ্গকো টঙ্গনিয়াই পানীত পেলালে, সকলোৱে মাতিলত হে পাছত তুলিব দিলে। পাছে চাওডাঙ্গক পানীত পেলালত এনে ধক উঠিল বোলে বৰফুকনে বঙ্গালক নধৰি ৰাজ্য ভাগিবৰ দেখি, মানুহ কাটিছে। পানীত বান্ধি পেলাইছে। পাছে বৰফুকনে বোলে, বঙ্গালে মোক ধৰি নিয়ক, ৰাজ্য সুখে যা।" এই বুলি সাতখন নাও হিলৈ মাৰি একেলগে বঙ্গালৰ সমুখে মেলিলে। আমাৰ তৰুৱা লোক বোৰেও দুয়ো পাৰে গুলি কাঁৰ মাৰিব ধৰিলে। বঙ্গালৰ ৰচিপ খাঁ আমাৰ দিকিলৈ পিঠি কৰি হোকা টানি আহিছিল বোলে, অসমক বিমুখে ভঙ্গাম। পাছে আমাৰ গুলি লাগি ৰচিপ খাঁ পৰিল। আমাৰ নাও বঙ্গালৰ মাজ সোমাল। নাৱৰ নিমিত্তে পাছ ফন্দি দিব নোৱাৰে। বঙ্গাল বহুত পৰিল, আমাৰ বোৰে খেদি নি পাণ্ডুৰ নামত থলে। বৰফুকনে আৰু খেদি যাবৰ মন কৰিছিল,—পাছে (অচ্যুতানন্দ) দলৈয়ে বোলে ইয়াৰ পৰা খেদি যাবলৈ ভাল নহৈছে। দলৈৰ কথা শুনি বৰফুকন আৰু খেদি নগল।

"পাছে বঙ্গালে পুনৰ ফেৰ পাতিলে, আমাৰ বোৰেও ধৰিলে সেই বেলা নাৱেতৰে বৰমাইৰ যুদ্ধ হ'ল। সেই বেলা বঙ্গালৰ এক দাৰোগা পৰিল। সেই ভঙ্গে বঙ্গাল ৰহিব নোৱাৰি ৰঙ্গামাটিত ৰহিল গৈ। ৰঙ্গামাটিলৈ ভটিয়াই

যাওতে, বঙ্গালৰ এখন নাও আমাৰ মানুহে বেৰি ধৰিলে গৈ। তাত এটা ফালেঙ্গী দাৰোগা ধৰা পৰিল। তাকো বৰফুকনে স্বৰ্গদেৱলৈ দি পঠালে। সেই বেলাৰ পৰা... বঙ্গালৰে আমাৰে যুদ্ধ নহ'ল। পাছে বঙ্গালৰ সেনাপতি ৰামসিংহে বোলে, ধন্য ৰাজা! ধন্য মন্ত্ৰী! ধন্য সেনাপতি! ধন্য সেনা! একে আদমিয়ে সকলো চলাইতে পাৰে। মই হেন ৰামসিংহে থলত থাকিও ছিদুক নাপাওঁ।" পাছে গধূলী বুঢ়াগোহাঁয়ে থকা ঘৰলৈ আহি বস্তু ভৰা দিয়া হাতী বৰুৱাৰ পুতেক ভেকোলা ডেকাক খেদিলে, চাংমাই, পানী তোলাক দণ্ড কৰিলে বোলে, মোৰ এনে দুৰ্যশ আনে,—লোকে বুলিব গোহাঁয়ে ভৰা দিব দিয়াতহে দিছে। পাছে সেই ৰাতি বঙ্গালৰ মাজত ধোঁৱা দেখি, কুন্দাৰে বৰফুকনত জনালেহি বোলে, আজি ৰাত্ৰিৰ পৰা পুৱালৈকে বঙ্গালে ভাত খাইছে, ৰণকে ধৰে কি, কি কৰে, কব নোৱাৰি। বৰফুকনে বোলে, খাপে খাপে মানুহ থবি, মই যেন শীঘ্ৰে বাৰ্ত্তা পাওঁ। এই কথা বুঢ়াগোহাঁইলৈকো কোৱালে। সকলোকে সাৱধানে থাকিব দিলে। পাছে বৰফুকনে দলৈত শুধিলে বোলে, বঙ্গালে যুদ্ধকে কৰেনে ভটিয়াই যায়? অচ্যুতানন্দ দলৈয়ে বোলে যুদ্ধ নাই ভটিয়াইহে যাব;—আজি বঙ্গালৰ ৰংহে চাব লাগে। (এনেতে) পুনৰ্ব্বাৰ কুন্দাৰে জনালেহি বোলে, 'যুদ্ধ নাই, বঙ্গালে তামীঘৰ ভাঙ্গি নাৱত তুলি ভটিয়াই যায়'।" প্ৰকৃততে যুদ্ধ এৰি বঙ্গাল বা মুসলমান সেনা ভাগিল। অম্বৰেশ্বৰ ৰামসিংহই যি মোগল-পতাকা অসমত উৰাবলৈ আনিছিল, তাক অতি বেজাৰ মনেৰে সামৰি-সুতৰি লৈ, তেওঁ উভতি খোজ ললে। আৰু লাচিতে, অসম আইৰ বীৰপুত্ৰ লাচিত বৰফুকনে, মোগল-বাহিনীৰ ভীষণ কবলৰ পৰা মাতৃভূমিক ৰক্ষা কৰি, জগতৰ মাজত অসমীয়া জাতিৰ নাম চিৰ উজ্জ্বল কৰি, মানাহ নদীলৈকে আহোম ৰাজ্য বিস্তাৰ কৰিলে। তেতিয়াৰে পৰা মানাহ নদীয়েই বঙ্গাল আৰু অসমৰাজ্যৰ সীমা নিৰ্দ্ধাৰিত হ'ল। এই যুদ্ধক অসম বুৰঞ্জীত "শৰাইঘাটৰ যুদ্ধ" বুলি কয়। আৰু ই একেৰাহে নেৰানেপেৰাকৈ চাৰিমাহ চলে। এই চাৰিমহীয়া যুদ্ধত লাচিতে তেওঁৰ যুদ্ধ-প্ৰণালী, বীৰত্বৰ চানেকি, ৰাজভক্তি, স্বদেশ-প্ৰেম, স্বাৰ্থত্যাগ, কৰ্ত্তব্যনিষ্ঠা, দৃঢ়সংকল্প, অধ্যৱসায়, নিজ দেশৰ অৰ্থে আত্মোৎসৰ্গ আদি যিবিলাক সজগুণৰ পৰিচয় দিলে, তাৰ পৰা আমাৰ মানুহে, বিশেষকৈ আমাৰ ডেকা ছাত্ৰবন্ধু সকলে শিকিবলৈ অনেক আছে। মই আশা কৰোঁ, আমাৰ প্ৰত্যেক ডেকাই যেন সময়ত একোজন লাচিত বৰফুকন হয়গৈ; আৰু দেশমাতৃকাৰ মঙ্গলৰ অৰ্থে যেন সিবিলাকে নিজৰ সকলো প্ৰকাৰৰ স্বাৰ্থত্যাগ কৰিবলৈ শিকে।

এইখিনিতে কিন্তু একেবাৰ কথা মোৰ ছাত্ৰবন্ধুসকলক জনাই থওঁ। মই চিৰকালেই ছাত্ৰবিলাকে ৰাজনীতিত যোগ দিয়াটোৰ বিৰুদ্ধে হে, যদিওবা ৰাজনীতিৰ লগত মোৰ কোনো দন্দ-খৰিয়াল নাই। মোৰ মতে ছাত্ৰবিলাকে নিজৰ পঢ়াশুনা খতি কৰি, স্কুল, কলেজ এৰি, ৰাজনীতিত যোগ দিয়াটো কোনো ৰকমেই ভাল নহয়। ছাত্ৰজীৱনটো হৈছে শিক্ষাৰ হে কাল, আৰু হাজাৰেই হওক, তেহেলেই এম-এ, বি-এলেই "পাচ্" কৰোক, ছাত্ৰ সদাই ছাত্ৰ, আৰু সিবিলাকৰ মস্তিষ্কও ক্ৰমাৎ অপৰিপক্ক। গতিকেই, ছাত্ৰবিলাকে এনেকুৱা অপৈণত মস্তিষ্কেৰে ৰাজনীতিত যোগ দিয়াটো মোৰ মতে ভাল নহয়। কিন্তু, বৰ্ত্তমান দেশ-কাল-পাত্ৰলৈ চাই, যদি হে নিশ্চয় ছাত্ৰবিলাকেও তাত যোগ দিব লগাত পৰে, তেনেহলে, মই দঢ়াই কওঁ, যে সিবিলাক যেন সদাই ন্যায়ৰ সীমাৰ ভিতৰত থাকে। ন্যায়ৰ সীমাৰ ভিতৰত থাকি ৰাজনীতিত যোগ দিয়াটো নিশ্চয় সিমান আপত্তিজনক নহ'ব। ৰাজনীতিক্ষেত্ৰেদি, মাতৃভূমিৰ নামে, ন্যায়ৰ সীমা পাৰ হৈ গৈ আন আন প্ৰদেশত কিছুমান ডেকাই যি জঘন্য আৰু গৰিহিত কৰ্ম্ম কৰিছে, মই পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ, আমাৰ ডেকাসকলৰ যেন তেনে মতি নহয়, সিবিলাক যেন তেনেকুৱা লোক-নিন্দিত আৰু ন্যায়বিৰুদ্ধ কৰ্ম্মৰ পৰা লক্ষ যোজনৰ অন্তৰত থাকে। দেশমাতৃকৰে নামত ন্যায়বিৰুদ্ধ কৰ্ম্ম কৰি, সিবিলাকে যেন জন্মভূমিৰ মুখত কলঙ্কৰ ছাই নাসানে। মই ইয়াকে কৈ, ভগৱন্তৰ চৰণত তাকে প্ৰাৰ্থনা কৰি আৰু সকলো ৰাইজলৈ বুলি মোৰ সেৱা আগ বঢ়াই, আজিলৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো। পৰমেশ্বৰে যেন সকলোৰে মঙ্গল কৰে। *

* এই অভিভাষণখন ২৩।১।৩২ তাৰিখে বহিব লগা "জাজী-লাচিত মেলা"ত পঢ়িবলৈ বুলি লিখা হৈছিল। কিন্তু আজি লাচিত-মেলা সমিতিৰ স্পাদকৰ পৰা চিঠি পাই জনা গল যে "বৰ্ত্তমান জাজীত লাচিত-মেলা" স্থগিত কৰাকে থিৰ কৰা হল।—লিখক

ফাগুনী

গীত— —শ্রীযুত অতুলচন্দ্র হাজৰিকা, বি-এ

অ' ফাগুনী! অ' ফাগুনী!
কি অগনি জ্বলালি গাত?
বিৰিখে লতাক সাৰটি ধৰিলে,
ৰঙা কুমলীয়া পাত।
—কি অগনি জ্বলালি গাত?

ফুৰ্ ফুৰ্ ফুৰ্ জুৰ্ জুৰ্ জুৰ্,
পাল তৰি দিলে মলয়া বতাহে
নামে ধীৰে ধীৰে প্ৰণয়ৰ ভূৰ
কি মাধুৰী সানিলি তাত?
—কি অগনি জ্বলালি গাত?

গাভৰু প্ৰকৃতি নিজে দেখোঁ ভাল
তাতে তই আনি ফাকু-বেণু সানি
বোলালিহি ৰঙা জেতুকীয়া গাল
ফুলালি দেৱ পাৰিজাত।
—কি অগনি জ্বলালি গাত?

দূৰণিৰ বিননি বন-গীত ৰাগিণী
বুকুৰে লাহৰী, বিচাৰি আহৰি
তাতো একে অগনি অ' মোৰ ফাগুনী!
হিয়া যে নপৰে শাঁত!
—কি অগনি জ্বলালি গাত?

অসম সাহিত্য সভাৰ ১৩শ অধিবেশনত পাঠ কৰা বছেৰেকীয়া কার্য্যবিবৰণীৰ কিয়দংশ

—শ্রীযুত দেবেশ্বৰ চলিহা (প্ৰধান সম্পাদক, অ-সা-স)

১। যোৱা ১৯২৯ চনত গোলাঘাটত হোৱা আসাম সাহিত্য সভাৰ দ্বাদশ অধিবেশন হোৱাৰ দুবছৰৰ পাচত আজি আমাৰ সভাই চতুৰ্দ্দশ বছৰত ভৰি দিছে, কিন্তু গোটেই দেশৰ বিশেষকৈ শিবসাগৰীয়া প্ৰজাৰ নানা প্ৰকাৰ অপায় অমঙ্গল হোৱাত আমি সভাৰ এটি বছৰ হেৰুৱাইছোঁ যদিও আজি আমাৰ ৰৱ আনন্দৰ দিন যে আজি আমি এই সভাৰ ত্ৰয়োদশ সম্মিলন সুকামনে পাতিব পাৰিছোঁহক। শিবসাগৰীয়া প্ৰজাই যোৱা দুবছৰত নানা দুৰ্গতি আৰু অশেষ কষ্ট-ভোগ কৰিব লগীয়া হৈছিল। আমি জয়ন্তে তেওঁলোকৰ সেই নানা দুৰ্গতিৰ বাবে নযৌ দুখ প্ৰকাশ কৰো আৰু তেওঁলোকৰ দুখত সহানুভূতি জনাওঁ।

যোৱা বছৰ পুজাৰ বন্ধত হব লগীয়া সম্মিলন পাতিব নোৱাৰাত—আমাৰ যি অশেষ ত্ৰুটী হৈছিল তাৰ বাবে সদৌ অসমীয়া বাইজৰ ওচৰত ক্ষমা খুজিছোঁ। আমি এতিয়া যোৱা দুবছৰৰ সভাৰ কার্য্য-বিবৰণী একেলগে লিখি আপোনালোকৰ আগত ডাঙি ধৰিব লগাত পৰিছো।

* * *

৫। সভ্য।—যোৱা সম্মিলনলৈকে সভাৰ সভ্য ৩২৫ জন আছিল। এতিয়া সভ্যৰ সংখ্যা মোট ৩৪৭ জন হৈছে। আসাম সাহিত্য সভাৰ নিচিনা এখন প্ৰাদেশিক সভাত বহুত কৃতবিদ্য ব্যক্তি সভ্য-শ্রেণীত ভুক্ত নোহোৱাটো ৰ দুখৰ বিষয় আৰু আমি অনেকক বিশেষ অনুৰোধ কৰিও এই বিষয়ে সফল হব নোৱাৰি বেজাৰ আৰু অসন্তোষ প্ৰকাশ কৰিবলৈ বাধ্য হৈছো।

আৰু এটা কথা দুখেৰে সৈতে কবলৈ বাধ্য হৈছো যে অনেক সভ্যৰ কেইবা বছৰৰো বৰঙনি বাকী পৰি আছে! আমি প্ৰত্যেক সভ্যলৈ বাকী পৰি থকা বৰঙনিৰ হিচাপ দি বৰঙনি খুজিছিলো। তাৰ উত্তৰত কম সংখ্যক সভ্যইহে কেইবা বছৰৰো বাকী বৰঙনি আদায় কৰিছে। যোৱা সম্মিলনৰ পৰা আজিলৈকে সভ্যৰ বৰঙনিৰ বাবদ কেবল মাত্ৰ আমি ৩০৩৲ অনাহে পাইছো।

নিয়মাৱলীৰ তৃতীয় ছেপৰ ৬নং নিয়মৰ (গ) দফাত উল্লেখ কৰা নিয়মমতে যদিও বহুত সভ্য নাম সভ্য-শ্রেণীৰ পৰা বাদ পৰে তথাপি তেওঁলোকক বাদ নেপেলাই আমি তেওঁলোকৰ বাকী বৰঙনি আদায় কৰিবলৈ চেষ্টা কৰি সভ্য-শ্রেণীত ৰাখি থৈছো। কিন্তু আসাম সাহিত্য সভাৰ নিচিনা অসমীয়া সাহিত্য অনুষ্ঠান এটাই কেবল কেইজনমান সভ্যৰ বৰঙনিৰ ওপৰতে নির্ভৰ কৰি সাহিত্য আৰু আন আন শিক্ষা বিষয়ক কার্য্য চলাবলৈ ৰোৱাটো অতি দুষ্কৰ। আৰু যিসকলে বৰঙনি দিয়া বা দিব পৰা নাই তেখেতসকলক এইখিনিতে অতি বিনীতভাবে জনাব খোজো যেন তেখেতসকলে এই অনুষ্ঠানটিৰ ভবিষ্যত মঙ্গল কামনা কৰি তেখেতসকলৰ বাকী থকা বৰঙনি সোনকালে দি সকলো প্ৰকাৰে আমাৰ কার্য্যত সহায় কৰে।

* * *

৭। আয়।—আসাম সাহিত্য সভাৰ পুঁজিলৈ আমি কেবলমাত্ৰ তিনি ঠাইৰ পৰাহে টকা পাওঁ।—(১) সভ্যৰ বৰঙনি, (২) স্বীকৃত সভাৰ বৰঙনি আৰু (৩) আসাম গৱৰ্ণমেণ্ট আৰু লোকেল বোৰ্ড আৰু মিউনিচিপেল বোৰ্ডৰ দান। যোৱা দুবছৰৰ ভিতৰত ১৯২৯-৩০ চনত বেলেগ বেলেগ লোকেল বোৰ্ডবপৰা দান পোৱা হয়—৬৫০৲ টকা আৰু কেবল দুখন মিউনিচিপেল বোৰ্ডৰ পৰা পোৱা হয় ৭০৲

টকা, মোট ৭২০৲ টকা। আৰু ১৯৩০-৩১ চনত লোকেল বোৰ্ডৰ পৰা পোৱা হয় ৫৫০৲ টকা আৰু দুখন মিউনিচিপেল বোৰ্ডৰ পৰা পোৱা হয়—৭০৲ টকা। ১৯২৯-৩০ চনত গোলাঘাট, ধুবুৰী আৰু বৰপেটা এই তিনিখন লোকেল বোৰ্ডৰ কোনোখনৰে পৰা কোনো সহায় পোৱা নাই। তাৰ পাছৰ বছৰো গোলাঘাট, ধুবুৰী, মঙ্গলদৈ আৰু নগাওঁ এই কেইখন লোকেল বোৰ্ডৰ পৰাও কোনো সহায় নেপালো। মিউনিচিপেল বোৰ্ডৰ ভিতৰত কেৱল যোৰহাট বোৰ্ডেই আগৰ কেইবছৰৰ দৰে এই দুইবছৰো দি আছে। আমি গোলাঘাট আৰু ধুবুৰী লোকেল বোৰ্ডৰ কৰ্ত্তৃপক্ষ সকললৈ বহুত বাৰ লিখি কোনো সহায় নোপোৱাৰ কাৰণ একো বুজিব পৰা নাই। বিশেষকৈ ধুবুৰী আৰু গোলাঘাটত আসাম সাহিত্য সভাৰ দুবাৰ সম্মিলন বহিও যে, সেই সেই ঠাইত কৰ্ত্তপক্ষসকলৰ মন সাহিত্য সভাই কোনো প্ৰকাৰে কোমলাব পৰা নাই তাক দেখি আমি অলপ আচৰিত হব লগা হৈছো। মিউনিচিপেল বোৰ্ডবিলাকেও ভবিষ্যতলৈ সাহিত্য সভাৰ প্ৰতি অলপ দয়াৰ চকুৰে চাবলৈ আমি এই খিনিতে তেওঁলোকলৈকো বিশেষ অনুৰোধ কৰোঁ।

আসাম গবৰ্ণমেণ্টৰ পৰা ১৯২৯—৩০ চনৰ বাবে মঞ্জুৰী কৰা টকা ১০০০৲ এহেজাৰ সেই বছৰত পোৱা হল আৰু ১৯৩০-৩১ চনৰ সভাৰ বাৰ্ষিক কাৰ্য্যবিবৰণী অলপতে গবৰ্ণমেণ্টলৈ পঠোৱা হৈছে আৰু এই বছৰৰ টকা অলপ বেছি পৰিমাণে পাবৰ নিমিত্তে গবৰ্ণমেণ্টলৈ বিশেষকৈ লিখা লৈছে। ১৯২৮-২৯ চনৰ বাবে গবৰ্ণমেণ্টে ৩০০০৲ তিনিহাজাৰ টকা মঞ্জুৰ কৰে আৰু সেই টকাও আমি ১৯২৯-৩০ চনত পাওঁ। আৰু ১৯২৯-৩০ চনত আমি বিশেষভাৱে অনুৰোধ কৰি লিখাত অনাৰেবোল ৰায় বাহাদুৰ শ্ৰীযুত কনকলাল বৰুৱা মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ নিজা Discreationary Grant ৰ পৰা ২০০৲ দুশটকা দান কৰে, আৰু সেই বাবে তেখেতক সাহিত্য সভাৰ হৈ আমি বিশেষভাৱে শলাগ লওঁ।

• • •

৮। **পুথিভৰাল**।—গোলাঘাট-সম্মিলনত নিৰ্ব্বাচিত হোৱা পুথিভৰালীৰ তত্বাবধানতে সভাৰ পুথিভৰাল এই দুবছৰ আছিল। আমি সভাৰ কাৰ্য্য হাতত লওঁতে পুথিভৰালত মোটে কম-বেছ ৩৫০ খনমান কিতাপ আছিল। আমাৰ প্ৰথম বছৰতে এই পুথিভৰাল টনকিয়াল কৰিবৰ অৰ্থে ভাল ভাল বুৰঞ্জীমূলক, অনুসন্ধান-মূলক, বিজ্ঞানমূলক আৰু সাহিত্যমূলক কিতাপ বাছি দিবলৈ শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা, শ্ৰীযুত পাৰ্বতি প্ৰসাদ বৰুৱা, শ্ৰীযুত মিত্ৰদেৱ মহন্ত আৰু পুথিভৰালীৰে সৈতে এখনি পুথিভৰাল সমিতি নিযুক্ত কৰা হয়। এই সমিতিক বিশেষকৈ সহায় কৰিবৰ নিমিত্তে যোৰহাট কলেজৰ অধ্যক্ষ স্বনামখ্যাত শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ এম, এ, ডাঙৰীয়াক অনুৰোধ কৰা হয়। এই সমিতিৰ কাৰ্য্যত সন্দিকৈ ডাঙৰীয়াই বিশেষৰূপে সহায় কৰিছিল আৰু তাৰ বাবে তেখেতক আমি এইখিনিতে ধন্যবাদ জনাইছো।

উক্ত সমিতিয়ে বাছি দিয়া ওপৰত উল্লিখিত বিষয়ৰ ১৩২৩॥০ অনাৰ কিতাপ পুথিভৰাললৈ কিনা হয়। উক্ত সমিতিয়ে তেওঁলোকৰ বহুমূলীয়া সময় খৰচ কৰি কেইবা দিনো গধুলি গধুলি বহি আমাক এই কাৰ্য্যত সহায় কৰাত আমি তেখেতসকলক ধন্যবাদ জ্ঞাপন কৰিছো। তাৰ পাচৰ বছৰতো ৩১৫॥/০ অনাৰ অন্যান্য কিতাপ কিনা হয়। পুথিভৰাল আধুনিক আৰু সময়োপযোগী (up-to-date) কৰিবৰ কাৰণে কেইবাখনো আলোচনী কাকত লোৱা হয়। তাৰ ভিতৰত "Indian Antiquary", "Indian Historical Quarterly", "Journal of Asiatic Society of Bengal", "Modern Review", "Prabudha Bharat" উল্লেখযোগ্য। বৰ্ত্তমান আমাৰ পুথিভৰালত ৯৬৩ খন কিতাপ যুগুত আছে।

• • •

১০। **সাহিত্য বিষয়ক কিতাপৰ পুৰস্কাৰ আৰু সাহায্য বিতৰণ**।—যোৱাবছৰ ১৯৩০-৩১ চনৰ পুৰস্কাৰ প্ৰতিযোগিতাত বান্ধি দিয়া বিষয়ৰ কিতাপ লিখিবলৈ আৰু দুখীয়া গ্ৰন্থকাৰৰ সজগ্ৰন্থ প্ৰকাশ কৰিবলৈ আৰু সাহিত্যিক অনুসন্ধান কাৰ্য্যত খৰচ কৰিবলৈ সভাই মোটে ১৯৫০৲ টকা মঞ্জুৰ কৰি ৰাখে। এই টকাৰে প্ৰতিযোগিতাত বহা

শ্ৰীযুতা ধনদা কুমাৰী শইকীয়ানীৰ "ৰান্ধনি" কিতাপ প্ৰকাশ কৰিবৰ অৰ্থে ১৫০৲ টকা, শ্ৰীযুত চিন্তাহৰণ পাটগিৰিৰ 'সৰল ৰসায়ন' (Elementary Inorganic Chemistry)ৰ নিমিত্তে ৩০০৲ টকা আৰু শ্ৰীযুত পদ্মকান্ত ডেকাৰ "সৰল বিজ্ঞান" (Elementary Science) ৰ নিমিত্তে ২০০৲ টকা পুৰস্কাৰ দিয়া হয়। 'ৰান্ধনি' আৰু 'সৰল ৰসায়ন' কিতাপ ছপা হৈ ওলাল। আৰু 'সৰল বিজ্ঞান' ছপাখানাত আছে, অলপতে ওলাব। শ্ৰীযুত মহেশ চন্দ্ৰ শৰ্ম্মা কটকী ডাঙৰীয়াক তেখেতৰ 'বেতাল পঞ্চবিংশতি' নামক কিতাপ প্ৰকাশ কৰিবলৈ ৭৫৲ টকাৰ ছপা কিতাপ সভাক দিয়াৰ চুক্তিৰ বন্ধবস্ত কৰি ৭৫৲ টকা দি সহায় কৰা হয়। আৰু উক্ত কটকী ডাঙৰীয়াই সেই চুক্তিমতে ১০০ খন বেতাল পঞ্চবিংশতি ছপা কিতাপ সভাক দিয়ে।

"হজৰত মহম্মদৰ জীৱনী" লিখিবলৈ ২৫০৲ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হয়। কিন্তু সমিতিয়ে সেই বিষয়ৰ কেৱল মাত্ৰ এখন কিতাপ পালে। সেই কিতাপখনিও দুজন পৰীক্ষকে পুৰস্কাৰৰ যোগ্য বিবেচনা নকৰাত পুৰস্কাৰ দিব পৰা নহল। এতিয়া সেই কিতাপৰ ঠাইত আন এখন কিতাপ পোৱা হৈছে; সিয়ো পৰীক্ষকৰ হাতত আছে। 'সৰল পদাৰ্থ বিজ্ঞান' (Elementary Physical Science) ৰ নিমিত্তে ৩০০৲ টকা পুৰস্কাৰ ঘোষণা কৰা হৈছিল। কিন্তু আজিলৈকে সেই বিষয়ৰ কোনো কিতাপ পোৱা নাই। "তিৰুতাৰ সমাজত কৰ্ত্তব্য" এই বিষয়ৰ সৰ্ব্বোৎকৃষ্ট ৰচনা লিখকক শ্ৰীযুতা হিৰণ্ময়ী বৰগোহাই আইদেৱে ৫০৲ টকাৰ পুৰস্কাৰ দিবলৈ আমাৰ হাতত উক্ত টকা জমা থৈছে। এই বিষয়ক ৰচনাৰ নিমিত্তেও বাতৰি কাকতত বিজ্ঞাপন দি পুৰস্কাৰ ঘোষণা কৰা হৈছে। কিন্তু কোনো ৰচনা এতিয়াও আমাৰ হাতত পৰাহি নাই। এইখিনিতে আমি শ্ৰীযুতা হিৰণ্ময়ী বৰগোহাই আইদেউৰ সাহিত্যানুৰাগৰ বাবে বিশেষ শলাগ লৈছো; আৰু তেখেতৰ উদাহৰণ সকলোৰে অনুকৰণীয় বুলি আমি বাঞ্ছা কৰো।

কাচাৰত থকা তাৰাপুৰ নামৰ অসমীয়া গাৱঁত অসমীয়া মানুহৰ মাজত অসমীয়া ভাষাৰ প্ৰতি অনুৰাগ বঢ়াবলৈ শ্ৰীযুত শ্ৰীৰাম চন্দ্ৰ দাস ডাঙৰীয়াক ১৯৩০ চনৰ চত মাহত মানুহে পঢ়ি ভাল পোৱা কিছুমান সৰু সৰু কিতাপ সেই ঠাইৰ মানুহৰ মাজত বিলাই দিবলৈ, তেওঁৰ লগত দি, তেওঁক পঠোৱা হয়। আৰু সেই কাৰ্য্যৰ কাৰণে সভাই ৭০৲ টকা খৰচ কৰে। পাচত তেওঁ, তেওঁৰ কাৰ্য্যতালিকাৰ এখন ৰিপোট দিয়ে আৰু সেই ৰিপোট "পত্ৰিকাত" প্ৰকাশ হৈছিল।

কাইঠেলী অঙ্কৰ বুৰঞ্জীমূলক অনুসন্ধান কৰিবৰ নিমিত্তে শ্ৰীযুত দণ্ডিৰাম দত্তক ২০২৵০ অনা দিয়া হয়। আৰু তেখেতেও তেখেতৰ কাৰ্য্যাৱলীৰ ৰিপোট সভাত দাখিল কৰে।

এই বছৰৰ নিমিত্তেও আমি এই উদ্দেশ্যে যোৱা বছৰত খৰচ নোহোৱা টকাৰ লগত আৰু ১২০০৲ টকা যোগ দি 'আত্মাৰ উন্নতি' নামৰ এখন নতুন কিতাপ, দুখন বুৰঞ্জী-মূলক নাটক আৰু 'সমাজত তিৰুতাৰ কৰ্ত্তব্য' ৰচনাৰ উপৰিও তলত লিখা কিতাপখিনি প্ৰকাশ কৰিবৰ নিমিত্তে আয়োজন কৰিছো আৰু এই বিষয় বিলাকৰ হাতে লিখা কিতাপ বিচাৰি পুৰস্কাৰ ঘোষণা কৰা হৈছে।

(১) সৰল পদাৰ্থ বিজ্ঞান—(Elementary Physical Science)
(২) অৰ্থ-নীতি (Elementary Economics)
(৩) ভূ-বিজ্ঞান (,, Geology)
(৪) শৰীৰ-বিজ্ঞান (,, Anatomy)
(৫) নক্ষত্ৰ-তত্ব (,, Astronomy)
(৬) উদ্ভিদ-বিদ্যা (,, Botany)
(৭) ৰাষ্ট্ৰ-নীতি (,, Politics)
(৮) প্ৰাণী-তত্ব (,, Zoology)

ইয়াৰ উপৰিও অসমীয়া ভাষাৰ অন্যতম সুলিখক এই সম্মিলনৰ ভূতপূৰ্ব্ব সভাপতি ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা ডাঙৰীয়াৰ কীৰ্ত্তিস্তম্ভ বিতোপন শ্ৰীকৃষ্ণ লীলাৰ মধ্য লীলা খণ্ড প্ৰকাশৰ নিমিত্তে ২০০৲ টকা দি সহায় কৰা হয়।

১১। **চন্দ্ৰকান্ত অভিধান**।—চন্দ্ৰকান্ত ট্ৰাষ্ট ফণ্ডৰ খৰচৰ পৰা এই "অভিধান" সঙ্কলন আৰু প্ৰকাশ কৰাৰ ভাৰ সাহিত্য সভাৰ ওপৰত পৰাৰ কথা বোধ কৰো

সকলোৰে অৱগত আছে। যোৱা বছৰৰ আদিতে এই অভিধানৰ সঙ্কলন কাৰ্য্য শেষ হৈ যায় আৰু এতিয়া উক্ত অভিধান ছপা হব লাগিছে। অভিধান সম্পৰ্কীয় গোৱালপাড়া সম্মিলনত গৃহীত হোৱা প্ৰস্তাৱ অনুসৰি এই অভিধানৰ কাৰ্য্য কৰা হৈছে। আৰু সেই প্ৰস্তাৱৰ সকলো বিষয় কাৰ্য্যকৰী কৰি চলিবৰ নিমিত্তে ২।৭।২৯ তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে বিধান কৰিছিল, ৬ খনা জিল্লাৰ ৬ জন প্ৰতিনিধি আৰু যোৰহাটৰ ৬ জন প্ৰতিনিধিৰ দ্বাৰাই উক্ত অভিধানৰ ছপা আৰ্হিকাকত পৰীক্ষা কৰাৰ আৰু সেই বিধান অনুযায়ী আমি তেখেত সকললৈ আৰ্হিকাকত পঠাওঁ। তেখেত সকলৰ বহুতৰ পৰ আৰ্হিকাকত নিৰূপিত সময়ত ঘূৰাই নোপোৱাত আৰু জনদিয়েকে সেই কাম কৰিবলৈ অস্বীকাৰ কৰাত কেই ফৰ্ম্মামানৰ আৰ্হিকাকত পঠাই পাছলৈ বন্ধ কৰিবলৈ বাধ্য হলোহক। আগৰ সম্পাদকীয় সমিতিৰ সঙ্কলন অনুসৰি সাহিত্য সভাই ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ বিশেষ সহায় লৈ উক্ত অভিধানৰ ছপা কাৰ্য্য চলিব লাগিছে। আৰু আজিলৈকে উক্ত অভিধানৰ ৫৯ ফৰ্ম্মাৰ ছপা শেষ হৈছে। অৰ্থাৎ বৰ্ত্তমান "ট" আখৰ প্ৰায় শেষ হৈছে।

ট্ৰাষ্ট ফণ্ডৰ ১৫০০০৲ টকাৰ পৰা বছৰি পোৱা সুত ৯০০৲ টকাৰে ছপা কাৰ্য্য কৰিবলৈ অতিকৈ অনাটন হোৱাত ৰায় বাহাদুৰ সন্দিকৈ ডাঙৰীয়াৰ পৰা যোৱা বছৰ বিনা সুতে ২৬০৩॥৶০ আনা ধাৰে লোৱা হৈছে। এনেকৈ আগৰ কেইবছৰো তেখেতৰ পৰা টকা ধাৰ কৰি অনা হৈছিল। ১৯৩১ চনলৈকে এনেকৈ তেখেতৰ পৰা লোৱা মোট ধাৰ ৪৪২৩॥৶০ অনা।

১৩। **"নৰদেৱ ট্ৰষ্টফণ্ড"**—নৰদেৱ ট্ৰাষ্ট ফণ্ডৰ টকাৰ সুতৰ পৰা যোৱা বছৰৰ ভিতৰত কোনো পুথি ছপাব পৰা নহল। এই বছৰ "শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত্ত পুৰাণ" খনি ছপা কৰি প্ৰকাশ কৰিবলৈ হাতত লোৱা হৈছে। আৰু ইয়াৰ শ্ৰীকৃষ্ণ জন্ম খণ্ডৰ ছপা কাৰ্য্য আৰম্ভ হৈছে। এই ফণ্ডৰ ৫০০০৲ টকা ডিব্ৰুগড়ৰ ইম্পিৰিয়েল বেঙ্কত জমা ৰাখি বছৰি ১৭৫৲ টকা সুত পোৱা হয়। যোৱা বছৰ আৰু এই বছৰৰ মোট আয় ৩২২৵৩ পাই আৰু ইয়াৰ ভিতৰত শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত্ত পুৰাণ ছপাবলৈ কাগজৰ বাবে ২৫০৲ টকা খৰচ হৈছে।

১৪। **কমলা দেৱী শিশু সাহিত্য।**—যোৱা বছৰ "ৰাজস্থানৰ গল্প" আৰু "বিজ্ঞানৰ গল্প" এই দুই বিষয়ৰ দুখন কিতাপ লিখিবলৈ পুৰস্কাৰ ঘোষণা কৰা হয়। দুয়োটা বিষয়ৰ হাতে লিখা কিতাপ "ৰাজস্থানৰ গল্প"—দুখন আৰু "বিজ্ঞানৰ গল্প"—এখন পোৱা হৈছে, আৰু আটাই কেউখন কিতাপৰ পুৰস্কাৰৰ যোগ্যতা বাছি দিবৰ নিমিত্তে সভাৰ পৰীক্ষকৰ হাতত আছে।

এই ফণ্ডৰ ২০০০৲ টকা যোৰহাট টাউন বেঙ্কত জমা আছে। যোৱা বছৰ ১৫০৲ টকা সুত পোৱা হয় কিন্তু এই বছৰ বেঙ্কে কোনো সুত দিব পৰা নাই। সুত আদায় কৰিবৰ নিমিত্তে আমি বহুত লিখালিখি কৰিছো।

১৫। **বেজবৰুৱা সম্বৰ্দ্ধনা।**—এই বছৰ আসাম সাহিত্য সভাৰ এটি অতি বিতোপন আৰু অভিনৱ কাৰ্য্য কৰিবলৈ পাই আমি নিজকে নিজে পৰম সৌভাগ্য-শালী বুলি ভাবিছোহক। যিজন পুৰুষে 'আজীৱন অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যৰ নিস্বাৰ্থভাৱে সেৱা কৰি সাহিত্য আৰু ভাষাৰ লগত আমাৰ জাতীয় জীৱনৰ পৰিসৰ বঢ়ালে, বুঢ়া, ডেকা, লৰা সকলোকে সাহিত্যৰ ৰসত আনন্দৰ হাঁহিৰে হঁহুৱাইছে—তেনেজন পুৰুষ, শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াক আমি সম্বৰ্দ্ধনা কৰিবলৈ যুগুত কৰিছোহক। গোলাঘাটৰ সম্মিলনত সৰ্ব্বসম্মতিক্ৰমে শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াক আসাম সাহিত্য সভাই এখনি অভিনন্দন পত্ৰ দিবলৈ এটি প্ৰস্তাৱ গ্ৰহণ কৰে আৰু কাৰ্য্য নিৰ্ব্বাহক সমিতিক সেই কামৰ সকলো যো-জা কৰি কাৰ্য্যত পৰিণত কৰিবলৈ আদেশ দিয়ে। আমি এই সম্মিলনতে তেখেতক সেই অভিনন্দন দিবলৈ স্থিৰ কৰিছো আৰু সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ বাবত—এই অভাজনে সেই সুযোগ্য পুৰুষক যে সম্বৰ্দ্ধনা কৰিবলৈ পাইছো সি নিজৰে পৰম সৌভাগ্য বুলি ভাবিছো। যোৱা ১৯২৯ চনত যোৰহাটত বহা আসাম সাহিত্য সম্মিলনীৰ একাদশ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ ফণ্ডত,

সম্মিলনীত খৰচ কৰাৰ উপৰিও, কিছু টকা জমা হৈ আছিল। এই জমা টকাখিনি উক্ত অভ্যৰ্থনা সমিতিৰ সভাপতি, সহকাৰী সম্পাদক আৰু ধনভৰালী ডাঙৰীয়া সকলে, এই সম্বৰ্দ্ধনা কাৰ্য্যত খৰচ কৰিবলৈ আমাৰ হাতত দিয়ে। আৰু আমি এই খৰচফেৰি পাই আসাম সাহিত্য সভাৰ পুজিত হাত নিদিয়াকৈ এই কাৰ্য্য চলাবলৈ পাই তেখেতসকলক সাহিত্য সভাৰ হৈ মই অন্তৰেৰে অশেষ ধন্যবাদ দিওঁ।

১৮। **সামৰণা।**—আজি আমাৰ ত্ৰয়োদশ সম্মিলনীৰ আৰম্ভণী দিন। যোৱা দুটা বছৰ একাদিক্ৰমে সাহিত্য সভাৰ কাম আমাৰ ওপৰত পৰে আৰু আমিও সেই কামৰ ভাৰ হেলাৰঙে আৰু আগ্ৰহেৰে গ্ৰহণ কৰো। দুয়ো বছৰ সাহিত্য সভাৰ কাম আৰু মাতৃভাষাৰ সেৱা কৰিবলৈ আমি কোনো আন্তৰিক ত্ৰুটী বা অৱহেলা কৰা নাই। বৰঞ্চ আমাৰ নিজা নানা প্ৰকাৰ ঘৰুৱা অসুবিধাৰ স্বত্বেও সাহিত্য সভাৰ কাৰ্য্য পাচ নেপেলাই আমি নিজে অকপট চিত্তে আৰু সাধ্য অনুসৰি সকলো কাম কৰিবলৈ যত্ন কৰিছিলো। আমি যি কৰিছো সাহিত্য সভাৰ আৰু মাতৃভাষাৰ সদাই ভালৰ নিমিত্তেই হে কৰি আছো। ভ্ৰান্তি আৰু দুৰ্ব্বলতা মানুহৰ স্বাভাৱিক। আমিও সেই দোষত যে পৰা নাই, কব নোৱাৰো। আমাৰ সকলো কাৰ্য্যত আমাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্য-সকলৰ পৰা সদাই সকলো প্ৰকাৰৰ সহানুভূতি পাইছিলো। তাৰ বাবে তেখেতসকলৰ ওচৰত মোৰ সৰল অন্তঃকৰণৰ কৃতজ্ঞতা জনাইছো। আৰু যদি এই কাৰ্য্য কৰোতে আমাৰ কিম্বা কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অজানিতে কিবা বিশেষ দোষ বা ত্ৰুটী ঘটিছিল তাৰ বাবে সকলোৰে ওচৰত মোৰ নিজৰ আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ হৈ ক্ষমা বিচাৰিছো। সাৱশেষত মোৰ দুবছৰীয়া সম্পাদকীয় কাজ কৰা অভিজ্ঞতাৰ পৰা মই দুআষাৰমান কৈ আপোনালোকৰ ওচৰত বিদায় লব খোজোঁ।

আসাম সাহিত্য সভা এখন আমাৰ আসাম প্ৰদেশৰ ভিতৰত একমাত্ৰ অসমীয়া সাহিত্য চৰ্চ্চা আৰু উন্নতি কৰিবলৈ যত্ন কৰা সভা। ইয়াৰ কেন্দ্ৰ-সভা অৰ্থাৎ কাৰ্য্য নিৰ্ব্বাহক সমিতিয়েই বছেৰেকীয়া সম্মিলনীয়ে বাছি দিয়া সকলো কাম কাৰ্য্যকৰী কৰে। এই কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সমষ্টি বাছোতে সাহিত্য সভাৰ প্ৰতি বিশেষ অনুৰাগ আৰু সভাৰ কাৰ্য্যলৈ আগ্ৰহ থকা ব্যক্তিৰ পৰা যেনে কাম পাবলৈ আশা কৰিব পাৰি তেনে কাম আন ব্যক্তিৰ পৰা পাব নোৱাৰি। আমাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অধিবেশনত এই দুই বছৰৰ ভিতৰত কেবাজনো সভ্যই এবাৰ কি দুবাৰতকৈ উপস্থিত থকা নাছিল! আন কি, আমাৰ জনদিয়েক বিষয় বাবত থকা সভ্যয়ো কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ বেছি সভাত উপস্থিত নাছিল। আৰু আমি আগৰ ৰীতিমতে প্ৰতিযোগিতা পুৰস্কাৰৰ হাতে লিখা কিতাপ সমিতিৰ সভ্যই পৰীক্ষা নকৰি আন সাহিত্যানুৰাগী ব্যক্তিক পৰীক্ষা কৰি পুৰস্কাৰৰ যোগ্যতা বাছি দিবলৈ দিওঁ। সাহিত্য সভাৰ বিশেষ সম্পৰ্ক থকা, সাহিত্যত ৰাপ থকা এনেকুৱা ব্যক্তিয়ে পৰীক্ষা কৰিবলৈ দিয়া হাতে লিখা কিতাপ যদি ১॥ বছৰ ২ বছৰ পৰ্য্যন্ত পৰীক্ষা কৰিবলৈ ৰাখি থয় তেনে আমাৰ সভাই তেনেকুৱা ব্যক্তিৰ পৰা কিমান কাৰ্য্য আশা কৰিব পাৰি!

অসমীয়া সাহিত্যৰ অভাৱ এতিয়াও অনেক। পুৰণি অসমীয়া সাহিত্যৰ অনুসন্ধান, বুৰঞ্জীমূলক তথ্যৰ আবিষ্কাৰ কৰিবলৈ আমাৰ এতিয়াও বহুত আছে। অসমীয়া ভাষা প্ৰচলন কৰিবলৈ আমাৰ এতিয়াও বহুত ঠাই বাকী আছে। এইবিলাক বৃহৎ আৰু মহৎ কাৰ্য্য কৰাই সাহিত্য সভাৰ ঘাই উদ্দেশ্য। কিন্তু এই কাৰ্য্যবিলাক কৰিবলৈ আমাক অনেক অৰ্থ লাগে। অৰ্থৰ লগে লগে আমাক মানুহ লাগে। অৰ্থৰ আমাৰ যিমান অভাৱ, মানুহৰ অভাৱ তাতকৈ বেছি হলেও কম নহয়। কবলৈ দুখ লাগে অসমীয়া জাতিটো সোৰোপা, আৰু সজ কামলৈ আগ বঢ়া নহয়। আমাৰ দেশত এতিয়া বিদ্যা শিক্ষা কৰি ইউনিভাৰচিটিৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ অহা ডেকা লৰাৰ সংখ্যাও দিনে দিনে বাঢ়ি আহিছে; কিন্তু তেওঁলোকৰ ভিতৰৰ পৰা কেইজনে আমাৰ পুৰণি ঐতিহাসিক তথ্য আবিষ্কাৰ কৰিবলৈ চেষ্টা কৰিছে? প্ৰাচীন কামৰূপৰ আৰু প্ৰাগ্‌জ্যোতিষপুৰৰ দিনৰ পুৰণি অনেক কাহিনী পোহৰলৈ আহিবলৈ নেপাই

এতিয়াও কান্দিবই লাগিছে। পুৰণি অসমৰ বহুত ঠাই ইংৰাজ আমোলৰ আৰম্ভতে অসমৰ বুকুৰ পৰা ফালি নি বঙ্গদেশৰ বাহুত ওলোমাই দিয়াত তেওঁলোকৰ বিননিলৈ আমাৰ কেইজনে কাণ দিছে? কোচবিহাৰ, জলপাই-গুৰি আদি ঠাইবিলাক যে আমাৰ অঙ্গহি বঙ্গহিৰ ঠাই তাক আমাৰ কোনে দকৈ ভাবি চাইছে? ইত্যাদি অনেক কথা আমাৰ ভাবিব লগীয়া আছে। আমাৰ কৃতবিদ্য অসমীয়া ডেকা মানুহে এই কাম নিজ দেশৰ হকে স্বদেশ-প্ৰেমিকতাৰ চিন দেখুৱাই লাগি নগলে আমাৰ দেশৰ ভবিষ্যত উজ্জ্বল নহয়। আশা কৰো আসাম সাহিত্য সভাৰ হৈ মোৰ এই করুণ বাণীয়ে তেওঁলোকৰ হৃদয়ত অলপ নহয় অলপ স্পৰ্শ কৰিব।

সাৱশেষত কওঁ যে এই দুই বছৰ আমাৰ দেশত আৰ্থিক দুৰৱস্থাৰ হেতুকে মানুহৰ মন অতিশয় চঞ্চল। সাহিত্য সভাৰ পুঁজিলৈ যিমান অৰ্থ গোট খাব লাগে, তিমান গোট খুৱাব পৰা নাই। আৰু আগলৈ যে সোনকালে এই দুৰৱস্থা গুচিব তাৰো বৰ আশা দেখা নাই। এই বছৰত কেবাখনো লোকেল বোৰ্ডে আমালৈ আগেয়ে দিয়া দানৰ সংখ্যা কমাইছে আৰু কোনোৱে একেবাৰেই দিব নোৱাৰো বুলিও আমালৈ চিঠি দিছে। এনেস্থলত আমাৰ ঘৰুৱা খৰচ কমাই সভাৰ পুঁজি ৰক্ষা কৰা উচিত যেন পাওঁ।

এই সম্মিলনীৰ লগে লগে সাহিত্য সভাৰ আমাৰ সম্পাদকীয় বিষয়াৰ বাব ওৰ পৰিব। আমাৰ লগতে আমাৰ সকলোটি বিষয়াৰ বাবো নতুন হব।

সামৰণিত আমি আকৌ আপোনালোকৰ ওচৰত আমাৰি অনেক দোষৰ বাবে ক্ষমা বিচাৰি বিচাৰি বিদায় মাগিলো। আমি বহুত অপায় অমঙ্গলৰ মাজেদি সৰকি আহি বছৰেকীয়া সম্মিলনত ত্ৰয়োদশ বছৰৰ কাৰ্য্যবিৱৰণী আপোনালোকৰ ওচৰত ডাঙি ধৰিলো। আমি কি কি কৰিব পাৰিলো, আৰু কি কি কৰিবলৈ আয়োজন কৰিছো তাক ওপৰত বৰ্ণাই দেখুৱালো। এতিয়া আপোনালোকে অহা বছৰলৈ কি কি কাৰ্য্য কৰিবলৈ ভাৰ লয় তাৰ মীমাংসা কৰে যেন। ইতি—

———

ফাগুনত

গীত— —শ্ৰীযুত উমেশচন্দ্ৰ চৌধাৰী, বি-এল

মাৰে ফাগুনী বাৱ, মধু বৰষে
উতলা কৰে গাৱ কিবা হৰষে!
চৌদিশে ফুলে ফুল উন্মাদ অলিকুল,
ৰঞ্জিতা বসুমতী কুসুম-ৰাণী,
বসন্ত বিয়াকুল সেন্দুৰ সানি;
দিগন্ত নিনাদিত মৰ্ম্ম-বাণী!
নসহে সখী হে! আকুল-হৃদয়ে
যৌৱন জাগি উঠে ঋতু-পৰশে
অন্তৰ কান্দি উঠে দুখ-বিৰহে।

সম্পাদকীয়

অসমৰ বৰ্ত্তমান সমস্যা

কলিকতাৰ এ, এছ, এল ক্লাবৰ পক্ষৰ পৰা চেক্ৰেটাৰী শ্ৰীযুত মধুসূদন দাস বি-এ আৰু শ্ৰীযুত হৰেন্দ্ৰ নাথ শৰ্ম্মা বি-এৰ দেশভক্ত শ্ৰীযুত তৰুণ ৰাম ফুকন ডাঙৰীয়াৰ লগত সাক্ষাৎ উপলক্ষে তেখেতে যিবিলাক কথা কৈছিল, সেইবিলাক বিষয় লৈ দেশত আলোচনা চলাটো এটা শুভ লক্ষণৰ চিন বুজা গৈছে। অৱশ্যে অকল আলোচনায়ে নহয়, সেই অনুসৰি, দেশবাসীৰ কাৰ্য্যতৎপৰতাৰ ওপৰতে যে অসমৰ ভবিষ্যত উন্নতিৰ পৰিমাণ নিৰ্ভৰ কৰিছে, তাক নকলেও হব। "অসমীয়াত" ফুকন ডাঙৰীয়াৰ কথাখিনি প্ৰকাশ কৰা হৈছিল। "Times of Assam"ত তাক প্ৰকাশ কৰাৰ বাহিৰেও সম্পাদকীয় স্তম্ভত 'Problems of Assam" অৰ্থাৎ অসমৰ সমস্যা নাম দি বৰ লাগতিয়াল প্ৰবন্ধ এটাও ফুকন ডাঙৰীয়াৰ কথাকে উদ্দেশ্য কৰি প্ৰকাশ কৰা হৈছিল! এনেবিলাক বিষয় যিমানে আলোচনা আৰু প্ৰকাশ হয় তিমানে দেশৰ পক্ষে ভাল। কিন্তু অকল কাকত-পত্ৰৰ আলোচনাৰ বাহিৰেও অসমৰ সমস্যাবিলাক নানা সভাসমিতিৰ বক্তৃতা আদিৰে জনসাধাৰণৰ মাজত জনাজাত কৰিবৰ আৱশ্যক হৈছে। সুখৰ কথা, অসম সাহিত্য সভাত এইবোৰ নানা গুৰুতৰ বিষয়ে কেটামান প্ৰস্তাৱ পাছ হৈছে। এতিয়া আৰু সময় নষ্ট নকৰি এই বিলাকলৈ অসমবাসীৰ উমৈহতীয়া শক্তি নিয়োগ কৰিব লগীয়া হৈছে। কাৰণ সম্প্ৰতি ৰাজনৈতিক যুদ্ধ-সমস্যাৰ বাহিৰেও যিমানখিনি কঠিন সমস্যা আহি অসমীয়াৰ মূৰত পৰিছে তিমানখিনি ইয়াৰ আগেয়ে কেতিয়াও একেলগে আহি দেখা দিয়া নাছিল। সময়ৰ শৰ সময়তে মাৰিব পাৰিলেহে ফলৰ আশা কৰিব পাৰি। এই সময়ত যদি তাৰ উচিত আৰু উপযুক্ত ব্যৱস্থা কৰিব পৰা নাযায় তেনেহলে সচাকৈয়ে ফুকন ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ আৰ্থিক, সাহিত্যিক আৰু ভাষা বিষয়ে ভবিষ্যৎ বৰ আন্ধাৰ। এই অৱস্থা আঁতৰাবলৈ অকল সাহিত্য সভাত প্ৰস্তাৱ পাছ নাইবা কাকতত দুটা প্ৰবন্ধ প্ৰকাশতে যথেষ্ট হব নোৱাৰে। সাহিত্য সভাত অসমৰ সীমাৰ অদল বদল কৰি কোচবিহাৰ, ৰংপুৰ আৰু জলপাইগুৰি আদি জিলাও অসমৰ লগত জোৰা লগাই ইয়াক বৰ-অসম, বিশাল অসম, নাইবা বৃহত্তৰ অসম আদিত গঢ়িবলৈ আৰু অসমীয়া সাহিত্যৰ স্বাৰ্থৰক্ষা আৰু উন্নতিৰ অৰ্থে, বিশেষকৈ বিৰুদ্ধ স্বাৰ্থৰ যিবিলাক বিদেশী কাকত বৰ্জ্জনৰ প্ৰস্তাৱ গৃহীত হৈছে, এইবিলাকলৈ দেশত তুমুল আন্দোলনেৰে খলক লাগিব লাগিছিল। গভৰ্ণমেণ্টে ভাৰতৰ স্বাধীনতা বিষয়ে প্ৰবল জনমত আওহেলা কৰা দেখা হলেও অসমৰ আগৰ সীমা আকৌ নিৰ্দ্ধাৰণত তেনে কৰিবৰ কোনো কাৰণ দেখা নাযায়। বৰং এনেবিলাক বিষয়ত গভৰ্ণমেণ্টে সদায় প্ৰবল জনমতৰ সন্মান আৰু অনুসৰণ কৰি অহাহে দেখা গৈছে। প্ৰবল জনমতৰ বাবেই সিন্ধুদেশ বেলেগ হ'ল। আৰু জনসাধাৰণৰ ঘোৰ অসন্তোষ লক্ষ্য কৰিয়ে উৰিষ্যাৰ নতুন সীমা নিৰ্দ্ধাৰণ কমিটি বহিল। অসমতো তেনে অৱস্থাৰ সৃষ্টি হলে আৰু লগে লগে সেইবিলাক ঠাইৰ জনসাধাৰণৰ মাজতো প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হলে গভৰ্ণমেণ্টে কেতিয়াও তাত বিধি-পথালি নিদিব। কিন্তু তেনে অৱস্থাৰ সৃষ্টি কৰিব নোৱাৰিলে এফালে যেনেকৈ গভৰ্ণমেণ্টৰ কোনো সহানুভূতি আকৰ্ষণ কৰিবলৈ সম্ভাবনা দেখা নাযায় আনফালে তেনেকৈ আমাৰ এইবিলাক ক্ষীণ আলোচনা কেৱল ফোপোলা হুজুগ বুলি আনে হাহিবলৈ সুবিধা পাব।

অসম চৰকাৰৰ বজেট

যোৱা পহিলা মাৰ্চ্চৰ দিনা অসম কাউন্সিলত ১৯৩২-৩৩ চনৰ আনুমানিক আয়-ব্যয়ৰ বজেট পেছ কৰা হয়।

অৰ্থসচিব চাৰ মহম্মদ চাদুল্লা চাহাবে কাউন্সিলৰ সভ্যসকলক জনায় যে এই বছৰৰ আনুমানিক ব্যয়তকৈ আয় প্ৰায় ১৫৯৩০০০৲ টকা কম হব। এই প্ৰসঙ্গত তেওঁ ইয়াকো কয় যে ১৯৩০-৩১ চনত আয়তকৈ ১৪৮০০০০৲ টকা আৰু ১৯৩১-৩২ চনত প্ৰায় ১৮ লাখ টকা বেছি খৰচ হৈছে। ভাৰত গবৰ্ণমেণ্টৰ ওচৰত অসমৰ ৮৮৪৪০০০৲ টকা ধাৰ আছে। এই বছৰ অৱশ্যে আন কোনো নতুন কাম হাতত লোৱা নহব; কিন্তু শ্বিলং-জয়ন্তীয়াপুৰ ৰোডৰ কাম সমাধা কৰিবলৈকে নতুনকৈ ৫২০০০০৲ টকা ধাৰ লবলৈ চৰকাৰে স্থিৰ কৰিছে। অৱশ্যে ভাৰত গবৰ্ণমেণ্টৰ ওচৰত ইমান টকা ধাৰ থাকিলেও, বাকী খাজনা আৰু খেতিয়কসকলে চৰকাৰৰ পৰা লোৱা ধাৰ মিলি ৰাইজৰ পৰা গবৰ্ণমেণ্টে ৮৯৩৩০০০৲ টকা পাবলৈ বাকী আছে, এই কথাও অৰ্থ-সচিবে উল্লেখ কৰে।

ওপৰৰ সংক্ষিপ্ত বিবৰণীৰপৰা সহজে বুজিব পাৰি যে অসম গবৰ্ণমেণ্টৰ আৰ্থিক অৱস্থা অতি শোচনীয়। পুৰণি ধাৰৰ উপৰিও আজি তিনি বছৰ একেৰাহে আয়তকৈ ব্যয় বেছি হোৱাত, খেতিয়কৰ পৰা অতিৰিক্ত হাৰে আদায় কৰা খাজনা, এই বছৰৰ কণ্টিঞ্জেন্সী বাজেটৰ খৰচৰপৰা কমোৱা শতকৰা ১০৲ টকাকৈ, চৰকাৰী কৰ্ম্মচাৰীসকলৰ বাট খৰচৰপৰা কমোৱা আঢ়ৈ লাখ, আৰু দৰ্ম্মহাৰপৰা কমোৱা দুই লাখ দহ হেজাৰ টকাৰে ভেজা দিও তাৰ কোনো প্ৰতিকাৰ সম্ভৱ হোৱা নাই। কিন্তু এই অৱস্থা তাতোকৈ শোচনীয় এইবাবে হে যে অসম চৰকাৰৰ ৰাজহৰ ঘাই ধৰণী খেতিয়কসকল আজি অতিকৈ দুৰ্দ্দশাগ্ৰস্ত। বিশেষজ্ঞসকলে অনুসন্ধান কৰি ১৯২৯ চনত ঠিক কৰিছিল যে অসমীয়া খেতিয়কৰ মুঠ ধাৰ প্ৰায় ২২ কোটি টকা, বছৰি মাটিৰ ৰাজহৰপৰা চৰকাৰে যি টকা পায়, তাৰ প্ৰায় ২১ গুণ। ১৯২৯ চনৰ পিছত আৰ্থিক অৱস্থাৰ নানা পৰিবৰ্ত্তন ঘটিছে। ১৯৩০ চনৰ ভূঁইকঁপ, ১৯৩১ চনৰ বানপানী, আৰু বৰ্ত্তমানৰ ঘোৰ অৰ্থসঙ্কটে মানুহক আগতকৈ বহুত গুণে দুখীয়া কৰিছে। সেইবাবেই খেতিয়কে নিজৰ যথাসৰ্ব্বস্ব বিক্ৰী কৰিও যোৱা বছৰ সম্পূৰ্ণ ৰাজহ আদায় দিব পৰা নাছিল, আৰু সেইবাবেই এতিয়াও ধাৰ আৰু বাকী খাজনা মিলি প্ৰায় ৯০ লাখ টকা চৰকাৰে ৰাইজৰ পৰা পাব লগীয়া আছে। কোৱা বাহুল্য যে এইবাৰৰ আনুমানিক যি আয়ৰ হিচাপ দেখুৱা হৈছে, তাতকৈ বহুত পৰিমাণে কম টকাহে আদায় কৰা সম্ভৱ হব। প্ৰত্যেক অঞ্চলৰপৰা খাজনা ৰেহাই দিবলৈ নানা অনুৰোধ কৰা হৈছে, আৰু কাউন্সিলৰ সদস্যসকলেও সিদিনা, আৱশ্যক বুজি ঠায়ে ঠায়ে সম্পূৰ্ণৰূপে খাজনা ৰেহাই দিব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰি, সমূহ ৰাইজৰ মনোভাব ব্যক্ত কৰিছে।

চৰকাৰৰ প্ৰস্তাৱিত প্ৰতিকাৰ

অৰ্থসচিব ডাঙৰীয়াই বজেট আলোচনা প্ৰসঙ্গত কয় যে চৰকাৰৰ ধনৰ ভৰাল তেনেই উদং, কিন্তু ৰাইজৰ অৱস্থা তাতোকৈ বেছি শোচনীয়। আকৌ এই কথা কোৱাৰ পিছতে তেওঁ ১৯২২ চনৰ ষ্টাম্প সংশোধনী বিল, আৰু কোৰ্ট ফিজ সংশোধনী বিল কাউন্সিলত উপস্থাপিত কৰি কয় যে ১৯২৩ চনত তিনি বছৰৰ কাৰণে এই বিল দুখন পাছ কৰা হৈছিল, আৰু তাৰ ফলত চৰকাৰৰ আৰ্থিক অৱস্থাৰ উন্নতি ঘটিছিল। ১৯২৮ চনত যদিও এই বিল চিৰস্থায়ীকৈ পাছ কৰিবলৈ প্ৰস্তাৱ কৰাত কাউন্সিলে সেই প্ৰস্তাৱ সমৰ্থন নকৰিলে, তথাপি বৰ্ত্তমানে সেই বিল দুখন গ্ৰহণ কৰাটো বাঞ্ছনীয়। বঙ্গদেশৰ পাটন দি চাৰ চাদুল্লাই কৈছিল যে বঙ্গদেশৰ জনসাধাৰণে নানা দুৰৱস্থাৰ মাজতো ষ্টাম্প আৰু কোৰ্ট ফিজৰ অতিৰিক্ত হাৰ হাঁহিমুখে বহন কৰিছে, অসমীয়াই আপত্তি কৰাৰ কাৰণ কি?

অৰ্থসচিব ডাঙৰীয়াই এটা কথা পাহৰি গৈছিল। বঙ্গদেশৰ চৰকাৰে কৃষি, শিল্প আৰু সমবায় আন্দোলনৰ সফলতাৰ বাবে বিশেষ যত্ন কৰিছে। তাৰ ফলত তাত খেতিয়কৰ অৱস্থা ক্ৰমে উন্নততৰ হৈ আহিছে। বিশেষকৈ যোৱা বানপানীত বঙ্গদেশৰ মানুহ জুৰুলা হলেও ৰজা-প্ৰজা, দুয়োপক্ষৰপৰা যিমান সাহায্য পাইছিল, ভূঁইকঁপ আৰু বানপানীত আলাই-আথানি হোৱা অসমীয়া ৰাইজে তাৰ দহভাগৰ এভাগো নোপোৱাত, অসমীয়াৰ আৰ্থিক অৱস্থা বঙ্গদেশতকৈ শোচনীয় হৈ উঠিছে। অসম চৰকাৰেও যোৱা

বছৰৰ বানপানীত কিছু পৰিমাণে সাহায্য দান কৰিছিল, আৰু অতি অসমৰ্থ দুই-চাৰিজনৰ খাজনা ৰেহাই দিছিল; কিন্তু এই সাহায্য বিপদৰ অনুপাতে হোৱা নাছিল। আনফালে যদি দুই-এজনে খাজনা নিদিয়াকৈও থাকিব পাৰিছিল, বেছিভাগকেই যে চৰকাৰৰ প্ৰতিনিধি মৌজাদাৰসকলে জোৰ-জুলুম কৰি তিৰোতাৰ হাতৰ কাণৰ সোলোকাই আনি, গোহালিৰ গৰুছাগলী আধা দামতে নীলাম দি খাজনা আদায় কৰিছিল, আৰু ইয়াৰ ফলত যে ৰাইজৰ দুৰ্দ্দশাৰ মাত্ৰা বাঢ়িছিল হে তাক অৰ্থ-সচিব ডাঙৰীয়াই পাহৰি যায় কিয়? অসমৰ খেতিবিভাগ, শিল্পবিভাগ, সমবায় বা পশুবিভাগে ৰাইজৰ অৱস্থা উন্নততৰ কৰিবলৈ কি পৰিমাণে চেষ্টা কৰিছে, চাৰ মহম্মদ চাদুল্লা চাহাবে কব নে? খেতিয়ক সকলৰ ৰাজহাড় আজি ভাগি পৰিছে। তাৰ বাবে দোষী কোন? সুখৰ কথা যে ওপৰোক্ত বিল দুখনিকে কাউন্সিলে অগ্ৰাহ্য কৰিছে। অৰ্থ-সচিব ডাঙৰীয়াই তাৰপৰাই ৰাইজৰ মনোভাব বুজিবলৈ সমৰ্থ হব বুলি আমাৰ বিশ্বাস।

শিক্ষা-মন্ত্ৰীৰ প্ৰস্তাৱ

শিক্ষা-মন্ত্ৰী মৌলবী আব্দুল হামিদ চাহাবে শিক্ষা-বিভাগত খৰচ কমোৱা সম্পৰ্কে যি প্ৰস্তাৱ কৰিছে, তাত তেওঁৰ দূৰদৰ্শিতাৰ পৰিচয় দিয়া হোৱা নাই। অসমৰ প্ৰচলিত বৃত্তিৰ সংখ্যা কমাবলৈকে তেওঁ মনস্থ কৰিছে। মৌলবী চাহাবে বেছকৈ জানে যে অসমীয়া জনসাধাৰণৰ আৰ্থিক অৱস্থা টনকিয়াল নহয়; তেনেস্থলত দুই চাৰিজনৰ বাহিৰে আনৰ, তেওঁলোকৰ লৰাছোৱালীক নিজ খৰচত দূৰন্তৰত কলেজত পঢ়ুৱাবলৈ যোত্ৰ নাই। তেনেস্থলত যি কেইজন ছাত্ৰই নিজ প্ৰতিভাৰ বলত চৰকাৰৰপৰা অলপ অচৰপ আৰ্থিক সাহায্য পায় তেওঁলোকে কোনো প্ৰকাৰে কলেজত পঢ়িবৰ দিহা কৰিব পাৰে। অসমত সুকীয়াকৈ বিশ্ববিদ্যালয় নাই। আজি কত বছৰ ধৰি ৰাইজে বিশ্ববিদ্যালয় এটিৰ বাবে দাবী কৰি আহিছে, কিন্তু চৰকাৰে টকা নাই বুলি সেই প্ৰস্তাৱ এফলীয়াকৈ থৈ আহিছে। সিদিনা অৰ্থ-সচিব চাৰ চাদুল্লাই ঠিক কথাকে কৈছিল যে নিজৰ বিশ্ববিদ্যালয় বা হাইকোৰ্ট বা চীফ কোৰ্ট নহলে মেজৰ প্ৰভিন্স আৰু প্ৰাদেশিক স্বাধীনতা আদি কথাৰ কোনো মূল্য নাথাকে। শিক্ষা-মন্ত্ৰী ডাঙৰীয়াই আজি বৃত্তিৰ পৰিমাণ কমাই চৰকাৰী তহবিলত কেই টকা ৰাহি কৰিব খুজিছে? মৌলবী চাহাবৰ অৱশ্যে এই পাই-পইছা এটিকো সাচিব খোজা মনোভাবৰ তাৰিফ নকৰি নোৱাৰি। কিন্তু যদি সচাকৈয়ে শিক্ষা-মন্ত্ৰীয়ে শিক্ষাবিভাগৰ খৰচ কিছু হলেও কমাব খোজে, তেনেহলে গুৱাহাটী ল-কলেজৰ আন আন অধ্যাপকৰ দৰ্ম্মহা কমাই দুশৰপৰা এশ কৰি মিঃ ব্ৰাউনৰ দৰ্ম্মহা নকমোৱাৰ কাৰণ কি? এতিয়াও ছাত্ৰৰ বৃত্তিৰ পৰিমাণ নকমাই এই অধ্যাপকজনৰ দৰ্ম্মহা কমালেই বেছি লাভ হব যেন লাগে।

আন এটি কথা ভাবি চাব লগীয়া হৈছে। অসমৰ সুকীয়া বিশ্ববিদ্যালয় নোহোৱাত এম-এ পঢ়িবলৈ অসমীয়া ছাত্ৰই কলিকতালৈ যাবলৈ বাধ্য হয়। কিন্তু অসমীয়া অভিভাবকৰ বেছিভাগৰ পক্ষে কলিকতাৰ দৰে ঠাইত লৰা পঢ়ুৱাটো সম্পূৰ্ণ সাধ্যাতীত। গতিকে খুব বেছি হলে শতকৰা পাঁচজনতকৈ বেছি গ্ৰেজুৱেটে কলিকতাত পঢ়িব নোৱাৰি নিবনুৱা হৈ থাকিব লগাত পৰে। কোৱা বাহুল্য, তীক্ষ্ণপ্ৰতিভাসম্পন্ন বহুত ছাত্ৰই আৰ্থিক দুৰৱস্থাৰ কাৰণে উচ্চশিক্ষা লাভৰপৰা বঞ্চিত হয়। সেইবাবে আজি কেবাবছৰৰ পৰা ছাত্ৰসকলে, প্ৰতি বিষয়তে একোটিকৈ পোষ্ট গ্ৰেজুৱেট বৃত্তি লাগে বুলি কৈ অহাতো গবৰ্ণমেণ্টে সেই কথালৈ মন-কাণ দিয়া নাই। হয়, বৃত্তিৰ পৰিমাণ বেছিকৈ দিয়া হ'ক, নহলে সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ দিহা কৰক। অসমীয়া জনসাধাৰণে এই কথা বিশেষকৈ ভাবি চাব লগীয়া হৈছে। চৰকাৰেও এই কথা জানি ৰখা উচিত যে শীঘ্ৰে বিশ্ববিদ্যালয়ৰ দিহা নকৰিলে দেশবাসীৰ চাঞ্চল্যক বাধা দিয়া টান হৈ উঠিব।

বজেট মিলোৱাৰ উপায় কি?

আমি এই কথা নকৈ নোৱাৰোঁ যে দেশৰ শাসনকাৰ্য্য

সুকলমে চলাব লাগিলে চবকাবী আয়তকৈ ব্যয় কম হোৱা উচিত। আনফালে আয় বঢ়োৱাৰ সিদ্ধান্তও কবিব লাগে। গবর্ণব বাহাদুবে ঘোৱা চেষ্টেষবত নিজেই প্রকাশ কবিছিল যে অসমৰ মাটিৰ বাজহৰ পৰা ঘোৱা টকাৰ তিনিভাগৰ দুভাগ চবকাবী চাকবিয়ালসকলৰ দৰ্মহাতেই খবচ হয়। আৰ চাই ব্যয় কবাটোহে লক্ষ্যমস্তৰ লক্ষণ। এই কথা সকলোৱে স্বীকাৰ কবে যে ১৯১৯ চনৰ শাসনসংস্কাবে ভাৰতত এটি মুব-গধুৰ শাসন ব্যৱস্থাৰ প্রবর্ত্তন কবিছে। প্রত্যেক প্রদেশতে কিছুমান সবহীয়া দৰ্মহা খোৱা চাকবিয়ালক সমূলি অনাৱশ্যককণে বাখি খোৱা হৈছে। এনেকি "হেঁটেছ-মেনৰ" দবে চবকাবী নীতিসমর্থক কাকতেও আজি কেমাহমান আগতে এই কথা স্বীকাৰ কবিছিল যে অনাৱশ্যককণে বঙ্গদেশৰ বিভাগীয় কমিশ্নাৰবিলাকক বাখি চবকাবী খবচৰ পবিমাণ বঢ়োৱা হৈছে। অসমতো সম্পূর্ণ অদৰকাৰী কমিশ্নাৰ দুজন বাখি বছবি প্রায় ডেবলাখ টকা অতিবিক্তকৈ বঢ়োৱা হৈছে বুলিয়েই সিদিনা কাউন্সিলত শ্রীযুত সনৎকুমাৰ বাৰ চৌধুবী ডাঙবীয়াই প্রস্তাৱ কবিছিল যে এই পদ দুটা উঠাই দিয়া হ'ক। যদিও সেই প্রস্তাৱ গৃহীত নহল, আমি তাৰ আৱশ্যকতা বেছকৈ উপলব্ধি কবিছোঁ। সেই প্রস্তাৱৰ লগতে পশুবিভাগটো কৃষিবিভাগৰ লগ লগাই দিবলৈ যি প্রস্তাৱ কবা হৈছিল, সি অতি যুক্তিযুক্ত আছিল। অসমৰ পশুবিভাগত কিছুমান সবহ দৰ্মহাৰ চাকবিয়ালক পুহি খোৱা হৈছে মাথোন। তেওঁলোকে নিজে পোহ গৈয়েই সন্তুষ্ট; মানুহে কেনেকৈ পশু পুহিব লাগে, সেই পিনে এই বিভাগে কোনো লক্ষ্য নকবে। এই বিভাগটো কৃষিবিভাগৰ লগত যোৱা লগাই দিলে এপিনে খবচৰ পবিমাণ কমি যায়, আনপিনে খেতিৰ উন্নতি সাধনত কিছু পবিমাণে সাহায্য হয়। কাবণ খেতিৰ লগত পশুপালনৰ বিশেষ ওচবা-উচবি সম্বন্ধ। এনেকুবা আন দুই-চাবিটা বংচটীয়া পদ তুলি দিলে দেশৰ সুশাসনত কোনো ব্যাঘাত নহয় বুলি আমাৰ বিশ্বাস।

উত্তবপুব অংশত কিছুমান সৈন্য বখা হৈছে। কেৱল অসমৰ সম্বাৰ্থৰক্ষাৰ বাবেই নহয়, সমূহ ভাৰতৰ স্বার্থৰ বাবে এই ফৌজৰ ব্যৱস্থা কবা হৈছে। শুনা যায়, মন্ত্র গবর্ণমেণ্টে হেনো এই ফৌজৰ খাৰতীয় খবচ বহন কবিব লাগে। যদি কথা সচা হয়, তেনেহলে ভাৰত গবর্ণমেণ্টে অসমীয়াৰ ওপৰত অন্যায়কৈ এই বোজা পেলাই দিছে আৰু অসম গবর্ণমেণ্টে সেই কথা ভাৰত গবর্ণমেণ্টক জনাই, সেই খবচৰ আংশিক পবিমাণে হলেও দাবী কবা ন্যায়সঙ্গত।

ইয়াতকৈত বিষম সমস্যা এটি অসমীয়াৰ আগত উপস্থিত হৈছে। চিলেটৰ আয়তকৈ ব্যয় বহুত বেছি আৰু বছবি ৮ লাখৰপবা ১২ লাখলৈকে চবকাবী ভৰাদৰ পবা এই জিলাক সাহায্য কবিব লাগে। তদুপবি ঘোৱা বছবৰ বাকী একত্রিশ লাখ টকাৰ মুঠে সাতলাখ হে আদায় হৈছে। তেহে লাখৰ ওপৰ টকা এই বছবৰ বাবে বাকী আছে, আৰু তাৰ আগৰ বছবৰ বাকীও বহুখিনি আছিল। অসমৰ মুঠ বাজহৰ পবিমাণ অন্যান্য প্রদেশৰ তুলনাত অতি কম, তেনে অৱস্থাতো যদি চিলেটৰ কাৰণেই বছবি ইমান লোকছান ভবিব লগীয়া হয়, তেনেহলে শাসন ব্যৱস্থা অচিবে পঙ্গু হৈ পবাৰ আশঙ্কা কবা যায়। চিলেটে যদি নিজ খবচৰ বাবে টকা যোগাব নোৱাবে, তেনেহলে আন আন জিলাৰ স্বার্থ হানি কবি এখন জিলাক পোহপাল দিয়াটো যুক্তিযুক্ত নে? এই বিষয়ে কিবা এটি সুব্যৱস্থা কবিলেই চবকাবী ধনভবালৰ অৱস্থা নীঘ্রে টনকিয়াল হৈ আহিব।

ভবিষ্যতলৈ দিহা

অর্থ-সচিব ডাঙবীয়াই অসম গবর্ণমেণ্টৰ ভবিষ্যত আর্থিক অৱস্থা সম্বন্ধে আলোচনা প্রসঙ্গত কৈছিল যে অসমৰ লোকসংখ্যা ক্রমাৎ বাঢ়ি গৈছে আৰু সেই পবিমাণে নতুন নতুনকৈ পোহত মাটি ভাঙি খেতি কবা হব লাগিছে। গতিকে লাহে লাহে চবকাবী আয়ৰ পবিমাণো বাঢ়ি যাব বুলি আশা কবিব পাবি। অর্থ-সচিব ডাঙবীয়াৰ এই কথাৰ সত্যতা আন এটি কথাৰ ওপৰত নির্ভৰ কবিছে। এইটো সকলোৱে জনা কথা যে পবিয়ালৰ মানুহ বাঢ়ি

গলেই সকলো সময়তে আয়ৰ পবিমাণ নাবাঢ়ে; যদি এই মানুহবোৰ উপার্জ্জনক্ষম নহয় বা হলেও উপার্জ্জনৰ কোনো সুচল নাপায়, তেনেহলে আয় বাঢ়ক ছাৰি ব্যয়হে দোপত-দোপে উধাই যায়। অসমৰ লোকসংখ্যা বাঢ়ি যাব পাবে, কিন্তু এইসকল সাধাৰণতঃ খেতিয়ক শ্রেণীৰ লোক। অসমৰ শতকৰা ৮৯ জনকৈ এতিয়াই খেতিয়ক। এই খেতিয়কৰ সংখ্যা বাঢ়িলেই চবকাবী ভৰাল টনকিয়াল হব বুলি কব নোৱাবি। কৃষিবিভাগে এই শ্রেণীৰ প্রত্যেক কর্ম্মক্ষম মানুহৰ শক্তি উপার্জ্জন কার্য্যত নিয়োগ কবিব লাগিব, সমবায় বিভাগে মানুহক সংঘবদ্ধভাবে কাম কবিবলৈ আৰু মিতব্যয়ী হবলৈ শিকাব লাগিব, আৰু শিল্পবিভাগে ঘৰকা শিল্পৰ পুনৰুন্নতিত উৎসাহ দি প্রত্যেক মানুহকে আজবি পবত শিল্পকার্য্যলৈ নিজৰ আয় বঢ়াবলৈ শিক্ষা দিব লাগিব। শিল্পবিভাগৰ কাম এনেকি ইয়াতকৈও বেছি। শিল্পকার্য্যত কোনো সুচল নোপোৱাৰ বাবে এতিয়া প্রায়ভাগ শিল্পৰ কাম কবা মানুহেই নিজৰ নিজৰ কাম এৰি খেতিয়কৰ সংখ্যা বঢ়াইছে। শিল্পবিভাগে দেশৰ সকলো প্রকাৰ ঘৰকা শিল্পকে নানা উপায়েৰে প্রতিষ্ঠা কবি খেতিয়ক শ্রেণীৰ সংখ্যা কমাই আনিব লাগিব; যাতে শীঘ্রে শিল্পবাৱসায়ী এক শ্রেণী মানুহ সমাজত তৈয়াৰ কবি তুলিব পবা যায়, তাৰ বাবে বিশেষ যত্ন নকবিলে খেতিয়কেও খেতিত বিশেষ লাভ কবিব নোৱাৰে আৰু জনসমাজৰ আর্থিক অৱস্থাও উন্নতত্ব নহয়। বর্ত্তমানে কৃষি, শিল্প, সমবায় আদি এই কেইটা বিভাগ চবকাবী নীতিস্বৰূপে কাকতে-কলমেহে প্রকাশ পাই আহিছে, দেশৰ জনসাধাৰণে তাৰপবা কোনো উপকাৰ পোৱা নাই। ভবিষ্যতে বাজহৰ পবিমাণ বঢ়াব খুজিলে ইবোৰ বিভাগক প্রকৃততে জাতীয় উন্নতিৰ ভেটিস্বৰূপ কবি লব লাগিব। বর্ত্তমানৰ আয়-ব্যয়ৰ হিচাপ মিলোৱাটো দিমান আৱশ্যকীয়, ভবিষ্যতৰ অর্থে সুদিহা কবাটো তাতোকৈ বেছি প্রয়োজনীয়। জনসাধাৰণেই অর্থাৎ খেতিয়ক শ্রেণীয়েই আমাৰ জাতিৰ বাজহাড়স্বৰূপ। যাতে এই বাজহাড় ভাঙি পেলোৱাৰ বাৱস্থাৰ পবিবর্ত্তে অধিকতৰ শক্তিশালী কবা হয় তাৰ ফালেহে অর্থ-সচিব ডাঙবীয়াই চকু বখা উচিত। বিশেষকৈ প্রস্তাবিত শাসনব্যৱস্থাৰ তলত অসমৰ সাধাৰণ খবচ বাঢ়ি যোৱাৰ লগে লগে, বিশেষ ৱিশেষ খবচৰ প্রয়োজন হব। বিশ্ববিদ্যালয় আৰু হাইকোর্ট বা চীফ কোর্ট নহলে নহয়, অর্থ-সচিবে সেই কথা স্বীকাৰ কবিছে। গতিকে আগধৰি আয় বঢ়োৱাৰ ব্যৱস্থা নকবিলে সমস্যৰ মূৰত চোটেঙীয়া হব লাগিব।

স্বাধীনতা-ঋষি জর্জ্জ ৱাশিংটন

ঘোৱা ২২ ফেব্রুৱাৰী তাৰিখে আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ জন্মদাতা জর্জ্জ ৱাশিংটনৰ দুশ বছৰীয়া জন্মতিথি পূর্ণ হ'ল। ১৭৩২ চনত জন্ম লাভ কবি এই মহাপুৰুষে ১৭৭৬ চনত আমেৰিকাৰ জাতীয় সেনাদলৰ অধিনায়ককণে ইংৰাজ সৈন্যবাহিনীক হকৰাই যিদবে আমেৰিকাৰ যুক্তৰাষ্ট্ৰ প্রতিষ্ঠা কবিলে, যুক্তৰাষ্ট্ৰৰ প্রথম সভাপতি স্বৰূপে ৱাশিংটনে বর্ত্তমান জগতত যিদবে গণতন্ত্রৰ প্রথম ভেটিস্থাপন কবিলে তাৰ ফলত এই স্বাধীনতা-ঋষিৰ জন্মতিথি আজি আন্তর্জাতিক উৎসৱত পবিণত হৈছে। আমেৰিকাত প্রেছিডেণ্ট হুভাৰৰ নেতৃত্বত যি উৎসৱ সভা গঠিত হৈছিল, সেই সভাৰ উদ্যোগত তিনিকুবি পোন্ধজন বিশেষজ্ঞই ৱাশিংটনৰ জীৱনকাহিনীৰ নানা অংশ বিশ্বৰ-ভাৰে লিখি উলিয়াই লাখে লাখে পুস্তিকা যুক্তৰাষ্ট্ৰৰ নানা ঠাইত প্রচাৰ কবিছে, আৰু এই পুস্তিকাৰ সহায়েৰে কেবামাহ ধৰি প্রায় দুলাখ বক্তৃতা কবিবলৈ বক্তা নিযুক্ত হৈছে। কেৱল আমেৰিকাত নহয়, পৃথিবীৰ আন আন



জর্জ্জ ৱাশিংটন

দেশতো অনুরূপ সমারোহেরে এই উৎসরিথি পালন করা হৈছে।

মহাপুরুষসকল কোনো দেশ বা সম্প্রদায়বিশেষর চৌসীমাত আবদ্ধ নহয়। বিশেষতঃ ব্রাৰিংটনৰ দৰে স্বাধীনতাৰ জন্মদাতা পুরুষৰ সম্মান বিশ্বৰ সকলো অংশতে। অধ্যাপক শ্রীযুত বিনয় কুমাৰ সৰকাৰ ডাঙৰীয়াৰ ঐকান্তিক চেষ্টাত ভাৰতৰ বিভিন্ন ঠাইত এই উৎসৱৰ আয়োজন হৈছিল, আৰু "বঙ্গীয় জৰ্জ্জ ব্রাৰিংটন স্মৃতিপৰিষদৰ" উদ্যোগত সিদিনা কলিকতাত সভা পাতি প্রেছিডেণ্ট ভণ্ডাৰলৈ টেলিগ্রাম পঠিয়াই আমেৰিকাবাসীক সম্বর্দ্ধনা জনোৱা হৈছিল। আমাৰ অসমতো এই তিথি পালন কৰিবলৈ দিহা কৰা বাঞ্ছনীয়।

মনৰো-নীতি আৰু বৰ্ত্তমান জগত

এই উপলক্ষে আৰু এটি কথা মনত ৰখা আৱশ্যক। ভাৰতবৰ্ষ ভাৰতবাসীৰ একচেটীয়া কৰ্ম্মক্ষেত্ৰ হব লাগে-বুলি ভৰতবাসীয়ে আজি দাবী কৰিছে। এই নীতিৰ জন্মস্থান আমেৰিকাৰ যুক্তৰাষ্ট্ৰ। ব্রাৰিংটনে কৈছিল, "যুক্তৰাষ্ট্ৰই য়ুৰোপৰ লগত বেহা-বেপাৰ চলাব কিন্তু য়ুৰোপৰ কোনো ৰাষ্ট্ৰৰ লগত কোনো প্রকাৰ সন্ধি স্থাপন নকৰে। য়ুৰোপীয়াননিলাক বৰ কুচক্রী। তেওঁলোকৰ গোলমালৰ মাজত এবাৰ সোমালে ওলাই অহাটো টান। যুক্তৰাষ্ট্ৰৰ এতিয়াও শৈশৱ অৱস্থা। গতিকে আমাৰ দেশৰ স্বাধীনতা ৰক্ষাৰ অর্থে আমি সাৱধানে থকা উচিত। তদুপৰি, আমাৰ প্রজাতন্ত্রমূলক শাসন জগতত নতুন। পুৰণি সভ্যতাৰ অধিকাৰীসকলে ইয়াৰ মর্ম্মকথা বুজিব নোৱাৰে। গতিকে তেওঁলোকৰ লগত আমি হলিগলি নকৰাই ভাল।"

ব্রাৰিংটনৰ এই বাণীকেই প্রেছিডেণ্ট মনৰোৱে ১৮২৩ চনত আন প্রকাৰে প্রকাশ কৰি কলে, "আমেৰিকাৰ ভূখণ্ডত কোনো য়ুৰোপীয়ানে হস্তক্ষেপ কৰিব নোৱাৰে। য়ুৰোপৰ ৰাষ্ট্রনীতি আমেৰিকাত প্রবর্ত্তিত হবলৈ দিয়া নহব। আমেৰিকাবাসীসকলে নিজৰ নিজৰ সকলো ব্যৱস্থা নিজেই কৰিব। আজিলৈকে য়ুৰোপৰ যি সম্পত্তি আমেৰিকাত আছে, সি ভবিষ্যতেও থাকিব। কিন্তু নতুনকৈ এই মহাদেশৰ এবিন্দু মাটিও য়ুৰোপৰ কোনো জাতিয়ে নিজৰ সাম্রাজ্যভুক্ত কৰি লব নোৱাৰে।" সংক্ষেপ কথা এয়ে মনৰোনীতি, আৰু ব্রাৰিংটনেই ইয়াৰ জন্মদাতা। এই নীতি কালক্রমে পৃথিবী বিয়পি পৰিছে।

স্বর্গীয় ৰায় চাহাব দুর্গাধৰ ৰৰকটকী

গোৱা ২৫ ফাগুন বুধবাৰে ৰাতি প্রায় দুবজাত ৰায় চাহাব দুর্গাধৰ ৰৰকটকী ডাঙৰীয়া সজ্ঞান বোগত হঠাৎ পৰলোক পালেগৈ। কটকী ডাঙৰীয়া অসম উপত্যকাৰ শিক্ষাবিভাগৰ ভূতপূর্ব্ব ইন্স্পেক্টৰ আছিল। আগেয়ে এই পদ কোনো অসমীয়াই পোৱা নাই। সেই হিচাপে তেৱেঁ শিক্ষাবিভাগৰ প্রথম অসমীয়া দফ আৰু ওৰ চাকৰিয়াল। অকল সেয়ে নহয়, অবসৰপ্রাপ্ত জীৱনত তেওঁক এজন প্রধান সাহিত্যসেৱীৰূপে দেখা গৈছিল। অৱসৰপ্রাপ্ত জীৱনত আন আন দেশত সাহিত্য সেৱকৰ দৃষ্টান্ত বৰ বেছি থাকিলেও অসমত তেনে উদাহৰণ বৰ সবহকৈ পাবলৈ নাই। কটকী ডাঙৰীয়া চাকৰিয়াল জীৱনতে সকলোৰে জনাজাত হলেও তেওঁৰ সাহিত্য সেৱালৈ নিচাই আজি তেওঁক সমুহ অসমীয়াৰ শ্রদ্ধাৰ পাত্র কৰি তুলিছে। অসমীয়া সাহিত্যৰ উন্নতি আৰু প্রচাৰৰ অর্থে তেওঁ যি কৰি গ'ল তাৰ বাবে অসম সাহিত্যৰ বুৰঞ্জীত তেওঁৰ নাম সোণালি আখৰেৰে ৰাউতি-মুগীয়া হৈ ৰব।

তেওঁ এগৰাকী স্বদেশপ্রেমিক মানুহ আছিল। যদ্দৰ আৰু অসমীয়া এবি-কাপোৰেৰে তেওঁ নিজৰ সাজপাৰ লৈছিল। এনে সাজেৰে তেওঁক এজন সাধক পুৰুষ যেন দেখা গৈছিল। তেওঁৰ ব্যৱহাৰৰ অমায়িকতা আৰু মনৰ সৰলতা লক্ষ্য কৰিব লগীয়া আছিল। আমি তেওঁৰ স্বর্গীয় আত্মাৰ সদ্গতি কামনা কৰি তেওঁৰ শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনালোঁ।

সত্রাধিকাৰ শ্রীশ্রীযুত গৰমূৰীয় গোস্বামীৰ দেশপ্রাণতা

গোস্বামী দেৱে দেশৰ নিমিত্তে কৰা নানা সৎকাৰ কথা সকলোৱে জানে। সম্প্রতি তেওঁ কেথনমান গাঙৰ

খেতি বাতিৰ সুবিধাৰ নিমিত্তে আবেদন নিবেদন কৰি ফল নোপোৱাত এটা মথাউৰী নিজে বান্ধিলবলৈ গাৱঁলীয়া মানুহ বিণাকৰ উৎসাহিত কৰি নিজে প্রথমে মাটিত হাত দিছিল। গোস্বামী দেৱৰ নিচিনা পুৰুষে হোজা খেতিয়কৰ লগত এনেদৰে সহযোগিতা কৰা আমাৰ দেশত আগেয়ে ভাবিব নোৱাৰা কথা। আমি তেখেতক অভিনন্দিত কৰিছো। আৰু দেশৰ নানান সৎকার্য্যৰ নিমিত্তে যেন সদমখৰে তেখেতৰ স্বাস্থ্য অটুট ৰাখে।

মুঞ্জে-ৰাজাৰ ভিতৰত চুক্তি আৰু অসম

২য় মেৰ চৰাব মেলত অৱনত সম্প্রদায়ৰ তথাকথিত প্রতিনিধি ডাঃ আম্বেদকাৰে সেই সম্প্রদায়ৰ বাবে সুকীয়া নির্ব্বাচন বিচাবিছিল। সম্প্রতি সেই সম্প্রদায়ৰ আন আন শীকৃত নেতাসকলে ঘুটীয়া নির্ব্বাচনতে সন্মতি দিছে। আৰু সেই সম্প্রদায়ৰ সর্ব্ববাদীসম্মত নেতা মিঃ বাজাই ডাঃ মুঞ্জেৰ লগত এই উদ্দেশ্যে এটা চুক্তি কৰিছে—যে সুকীয়া নির্ব্বাচনৰ পৰিবর্ত্তে কেৱল সংখ্যা হিচাপে সভ্যপদ নির্দ্দিষ্ট কৰি ৰাখিলেই চলিব। কিন্তু এই ব্যৱস্থাবো আৱশ্যক ভাবতৰ আন ঠাইত হলেও অসমত নহয়। কাৰণ অসমত তেনে এটা শ্রেণীৰ সৃষ্টি কেৱল কল্পনাতহে কৰিব পাৰি মাথোন। কিছুমানৰ নিজ নিজ স্বার্থৰ উদ্দেশ্যে কাল্পনিক সম্প্রদায় এটা সচাকৈ গঢ়ি তুলিবলৈ চেষ্টা কৰিলেও তাৰ ফলত কিন্তু এতিয়া সেই কাল্পনিক অৱনত সম্প্রদায়ৰ অবস্থা বিমান হীন নহয় ভবিষ্যতে অসমীয়া সমাজক তাতকৈ হীনতৰ কৰি তোলা হব।

সমালোচনা

"আমাৰ দেশ"লৈ সাদৰ আহ্বান—প্রধান সম্পাদক শ্রীযুত তুলসী নাৰায়ণ শর্ম্মা এম, এ সম্পাদিত 'আমাৰ দেশ'ৰ প্রথম বছৰৰ ১ম (ফাগুন) সংখ্যা পাই আমি বৰ বং পাইছো। এই সংখ্যাৰ প্রবন্ধ সম্ভাৰ আৰু ছপা আদিৰ আৰ্হিটৈ চাই, বিশেষকৈ "আমাৰ দেশ"ৰ সম্পাদক সমিতিৰ সভ্যসকলৰ নামৰ তালিকাটৈ লক্ষ্য কৰি আমি আশা কৰিছো—ছাতৰৰ কাৰণে "আমাৰ দেশ" এখন ভাল মাহেকীয়া কাকত হব। আমি এই কাকত-খনৰ সর্ব্বাঙ্গীন উন্নতি কামনা কৰিছো।

সৰল ৰসায়ন।—লিখক শ্রীযুত চিন্তাহৰণ পাটগিৰি, বেচ এটকা।

১৯২৬ চনৰ অসম সাহিত্য সভাৰ বছৰেকীয়া সম্মিলনৰ প্রস্তাৱ অনুযায়ী 'সৰল ৰসায়ন' বিষয়ক এখনি অসমীয়াত লিখা পুথিৰ বাবে সম্মিলনৰ কার্য্যনির্ব্বাহক সমিতিয়ে ৩০০৲ টকা পুৰস্কাৰ ঘোষণা কৰে। চাবিবছৰৰ মুবত শ্রীযুত পাটগিৰিদেৱৰ এই পুথিখনিকে সর্ব্বোৎকৃষ্ট বিবেচনা কৰি এই পুৰস্কাৰ দিয়া হয়।

আমাৰ অসমীয়া সাহিত্যত ৰসায়ন বিষয়ক এই খনিয়েই প্রথম কিতাপ। বর্ত্তমানে কলেজৰ বিজ্ঞান পঢ়া ছাত্রসকলে ৰসায়ন শাস্ত্রৰ কিছু কিছু অংশ অন্ততঃ পঢ়িবলৈ পায়; কিন্তু এই কিতাপখোৱাৰ ইংৰাজীত লিখা, আৰু কলেজত সকলো বিষয়কে ইংৰাজীৰ সহায়েৰে শিক্ষা দিয়াত শিক্ষার্থীসকলে ৰসায়ন সম্পর্কে যিকেবা জ্ঞান লাভ কৰে, নিজৰ ভাষাত তাৰ কোনো আলোচনাৰ সুবিধা নথকাত বা আমাৰ দৈনন্দিন জীৱনত তাৰ সাধাৰণতঃ আৱশ্যক নোহোৱাত পৰীক্ষা পাছ কৰাৰ লগে লগে সকলোৱে তাক পাহৰি যায়। আচলতে ভাৰতৰ শিক্ষাপ্রণালী ইংৰাজীত সম্পাদিত হৈ অহাত আজিপৰিমিত ভাৰতীয় কোনো ভাষাতে বিজ্ঞান বিষয়ক দুই এখনত বাহিৰে বেছি সংখ্যক কিতাপ নাই; আৰু প্রাচীন ভাৰতত যদিও ৰসায়ন শাস্ত্রৰ বিশেষ আলোচনা হৈছিল, তাক দুই এজন বিশেষজ্ঞৰ বাহিৰে আনে নাজানে। ভাৰতত বর্ত্তমানে ৰসায়নৰ যি আলোচনা হয়, ই সম্পূর্ণৰূপে পাশ্চাত্যদেশীয়। নিজ নিজ মাতৃভাষাৰ সহায়েৰে এই শিক্ষাদানৰ বাৱস্থা নথকাত, আধুনিক ৰসায়নৰ তুলনাত প্রাচীন ভাৰতীয়সকলৰ ৰাসায়নিক জ্ঞানৰ স্থান ক'ত তাক ছাত্রসকলেও জানিবলৈ সুচল নাপায়, কিন্তু নিজৰ ভাষাৰে আলোচনা নোহোৱাত,

সেই সম্পর্কে সর্ব্বসাধাৰণৰ ব্যৱহাৰৰ বাবে কিতাপ-প্ৰবন্ধ আদি লিখিবলৈও আৱশ্যকীয় প্ৰতিশব্দ বিচাৰি নোপোৱাত বসায়ন আদি সম্পৰ্কে জ্ঞান এতিয়ালৈকে বিশ্ববিদ্যালয়ৰ চৌহদীমাতে আৱদ্ধ হৈ আছে।

কিন্তু এই অতি আৱশ্যকীয় বিষয়টোৰ সম্পৰ্কে সাধাৰণ মানুহেও কিছু কিছু জনা আৱশ্যক। শ্ৰীযুত পাটগিৰি দেৱে অশেষ যত্ন কৰি ইংৰাজীৰ অবোধ্য শব্দবোৰৰ প্ৰতিশব্দ নানা আয়াসেৰে বিচাৰি উলিয়াই, "সৰল বসায়ন"ৰ সহায়েৰে অসমীয়া সাহিত্যৰ ভৰাল চহকী কৰাত তেওঁ আমাৰ নথৈ শলাগৰ পাত্ৰ। যিসকলে ইংৰাজী নাজানে, তেওঁলোকেও এই পুথিখনিৰ পৰা বসায়নবিদ্যা সম্পৰ্কে অন্ততঃ এটি ক্ষীণ আভাস পাব। বিজ্ঞানৰ আমোদজনক বহুত কঠিন শব্দৰ বান্ধনিত সোমাই থাকে। এই পুথিখনিতো পাঠকসকলে কিছুমান দুৰ্ব্বোধ্য শব্দ আয়ত্ত কৰাঁতে অলপ টান পালেও, সিথিনি ধৈর্য্য ধৰি থাকিলে নানান আৱশ্যকীয়, আচৰিত কথা জানিবলৈ সুচল পাব। কোনো দিনা বসায়ন চৰ্চ্চা নকৰা অসমীয়া ভাষাত এই পুথিখনিৰ ভাষা পাঠকসকলৰ পক্ষে অতিপাত খহটা যেন লাগিলেও, লিখকে যে যথাসাধ্য সকলো কথাকে সহজ ভাষাৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে, তাক নকৈ নোৱাৰি। ৫২৫৪/অ:

এটা কথা আমাৰ মনত খেলাইছে। আধুনিক বিজ্ঞান প্ৰধানতঃ পাশ্চাত্য দেশৰ অনদানী। য়ুৰোপৰ বেলেগ বেলেগ ভাষাত দেখা যায়, শিক্ষিত লোকসকলে বিজ্ঞানৰ শব্দবোৰ নিজ ভাষাৰে প্ৰকাশ কৰিবৰ চেষ্টা নকৰি প্ৰচলিত শব্দবোৰকে ব্যৱহাৰ কৰিছে। ফলত যদিও কোনো এটা শব্দ পহিলতে ইংৰাজী বা লেটিন আছিল, এতিয়া সকলো দেশে সেই শব্দটো গ্ৰহণ কৰাত প্ৰত্যেকৰ পক্ষে বুজিবলৈ সুবিধা হৈছে আৰু তেনে শব্দবোৰে আন্তৰ্জাতিক ৰূপ ধাৰণ কৰিছে। 'হাইড্ৰোজেন' বা 'অক্সিজেন' শব্দৰ মূল লেটিন ভাষা। কিন্তু তাক ইংৰাজী, ফৰাছী, আদি সকলো সাহিত্যতে 'হাইড্ৰোজেন' আৰু 'আক্সজেন'ৰূপেই গ্ৰহণ কৰা হোৱাত, শিক্ষাৰ্থী-সকলৰ, আৰু লগে লগে জনসমাজৰ পক্ষেও বুজিবলৈ সহজ হৈছে। আমাৰ ভাৰতীয় ভাষাবোৰতো এইবোৰ শব্দ অনুবাদ নকৰি, তেনেকৈয়ে ৰখাটো বেছি যুক্তিযুক্ত যেন লাগে। 'হাইড্ৰোক্লোৰিক এছিড'ক 'অজনিত হাবিতিক অম্ল', 'এলিউমিনিয়াম'ক 'পঙ্কজনক' বুলিলে বিশেষ লাভজনক হয় বুলি আমাৰ বিশ্বাস নহয়।

'সৰল বসায়ন' পঢ়ি আমি ভাল পাইছোঁ। বসায়নৰ আন আন পুথিও আমি পাটগিৰিদেৱৰ পৰা আশা কৰিছোঁ। এনে ধৰণৰ কিতাপৰ আদৰ ক্ৰমান্বয়ে বাঢ়ি আহিব, সন্দেহ নাই।

উদ্ভিদ বিবৰণ—৬৬+৬ পিঠিৰ উদ্ভিদবিষয়ক পুথি। লিখক শ্ৰীযুত ধনীৰাম দত্ত। বেচ আঠ অনা।

আমাৰ অসম দেশখনি প্ৰকৃতিৰ লীলানিকেতন, চৌদিশে নানাজাতীয় উদ্ভিদেৰে পৰ্ব্বত পাহাৰ সমভূমি পৰিপূৰ্ণ। পৃথিবীৰ সকলো প্ৰকাৰৰ উদ্ভিদেৰে যেন অসমৰ হাবি-বন ভৰি আছে। কিন্তু পৰিতাপৰ বিষয়, অসমীয়া জনসাধাৰণে উদ্ভিদ জগতৰ সাধাৰণ জ্ঞান লভিবলৈও অসমীয়া সাহিত্যত উদ্ভিদবিষয়ক কোনো কিতাপ নাই, শিক্ষাৰ্থীসকলেও উদ্ভিদ সম্পৰ্কে উচ্চশিক্ষা পাবলৈ কলিকতালৈ যাব লাগে। আজিকালি অৱশ্যে দুই এজনে কদাকাচিৎ উদ্ভিদজগতৰ বিষয়ে দুই এবাৰ কথা কবলৈ ধৰিছে, আৰু দুই এটি প্ৰবন্ধ লিখিবলৈ ধৰিছে। এনে সময়ত শ্ৰীযুত দত্ত ডাঙৰীয়াই, অতি ক্ষুদ্ৰ হলেও, এই পুথিখনি প্ৰকাশ কৰি বাইজৰ অশেষ উপকাৰ সাধিছে। ইয়াত লৰা-ছোৱালীয়ে জানিব লগীয়া বহুতো আৱশ্যকীয় কথা আছে। উদ্ভিদ জগতত অতিশয় মনোহাৰী ক্ৰিয়া কিছুমান দেখিবলৈ পোৱা যায়। তেনে শ্ৰেণীৰ কিছুমান বৰ্ণনা আৰু চিত্তাকৰ্ষক দুই এটি ছবিৰে কিতাপখনিৰ কলেৱৰ আৰু অঙ্গসৌষ্ঠৱ বঢ়ালে, জনসাধাৰণৰ পক্ষে এই খনি অতি আৱশ্যকীয় কিতাপ হ'ল হেঁতেন। বঙ্গলীত ৰায় চাহাব জগদানন্দ বায়ে উদ্ভিদবিষয়ক এনে অতি সুপাঠ্য গ্ৰন্থ কেইখনিমান প্ৰকাশ কৰিছে। অসমীয়া সাহিত্যত্তো এই বিষয়ৰ বিশেষজ্ঞসকলে এনে এটি সজ চেষ্টা কৰিলে বৰ সুখৰ কথা হয়।

১৩নং বৃন্দাবন মল্লিক লেন কামৰূপ প্ৰেছত শ্ৰীঅপূৰ্ব্ব কুমাৰ ভূঞা দ্বাৰা মুদ্ৰিত, ডাঃ দীননাথ শৰ্ম্মা দ্বাৰা প্ৰকাশিত।



৫২৫৪/অ:
১০. ৬. ৯৯

৫২৫৪/অ:

ASAM SAHITYA SABHA



৩য় বছৰ
৬ষ্ঠ সংখ্যা

আৱাহন

চ'ত
১৮৫৩ শক

সতী জয়মতী

—শ্রীযুত যতীন্দ্রনাথ দুৱৰা, বি-এ

কত যুগ যুগান্তৰ ধৰি,
অতীতৰ বুকু ভেদ কৰি,
কৰুণ কবিতা এটি,
বই যায় ধীৰে ধীৰে বিষাদ লহৰী,
তোলাই হিয়াত পুনু
পাহৰা গৌৰৱ স্মৃতি,
—অসমৰ সতী জয়মতী,
কৰুণ কবিতা এটি
বই যায় কত যুগ-যুগান্তৰ ধৰি ॥

সন্ধিয়াৰ নিজম পৰত,
জগতৰ নিজান চুকত,
এছাটি বতাহ বলি,
জয়সাগৰৰ পানী, তুলি থলকনি,
এটি যেন দুমুনিয়া উঠি ওপৰত,
শুন্তে শুন্তে কই যায় শুভৰ বুকুত,
"কোৱা নাই, কোৱা নাই, স্বামীৰ বাতৰি।"
এছাটি বতাহ বলি
কই যায় শুন্তে শুন্তে উৰি।
—সন্ধিয়াৰ নিজম পৰত
জগতৰ নিজান চুকত ॥

কোনে কলে কোৱা নাই বুলি ?
সঁচা তুমি কোৱা নাই দুই বাহু তুলি,
(কিন্তু) জগতে জানিলে সেই কথা,—
জদয়ৰ সাঁচতীয়া ৰেখা—
অন্তৰৰ গুপুত বাসনা—
তোমাৰ স্বামীৰ চিৰ-কল্যাণ কামনা,
ফুলা ফুলটিৰ দৰে পাহি মেলি মেলি
নিজৰ ভাবতে হ'ল নিজেই মুকলি।
—স্বামীৰ বাতৰি
সঁচা তুমি কোৱা নাই দুই বাহু তুলি॥

স্বামীৰ মঙ্গল হেতু জীৱনৰ পণ,
মৰণক কৰিলা বৰণ।
তুচ্ছ কৰি যমৰ যাতনা,
তুচ্ছ কৰি অশেষ লাঞ্ছনা,
সুখৰ দুখৰ সীমা—
হেলাবঙে পাৰ হই,
জীৱনৰ পুণ্য ব্ৰত কৰি সমাপন
হাঁহিমুখে মাগিলা মৰণ।
তিয়াগিলা নশ্বৰ জীৱন।
—স্বামীৰ মঙ্গল হেতু
মৰণক কৰিলা বৰণ॥

আজি হল কতদিন—
অসমৰ গৌৰৱৰ চিন,
আহোমৰ ৰাজপাট, বিষয় বিভৱ
কালৰ কোলাত হ'ল লীন,
ক'ত আজি ৰজা মহাৰাজ
কন্দ্ৰসিংহ গদাধৰ,
আৰু যত অসমৰ সম্পদ কালৰ,
যাৰ কাৰণেই
উছৰ্গিলা নিজৰ জীৱন,
অকাতৰে আত্মবিসৰ্জ্জন।
ছাঁৰ পুতলাৰ দৰে
আছে নেকি কিবা তাৰ চিন ?
কালৰ চাকত ঘুৰি কেনিবা উজৰি পৰি
হ'ল আজি অন্তত লীন
আহোমৰ গৌৰৱৰ দিন॥

মাথোঁ তৰ পুণ্যময়ী স্মৃতি,
অসমৰ শ্মশানত জিলিকিছে অতি,
আজি এই আন্ধাৰত,
তৰাটিৰ দৰে দিয়ে বাট দেখুৱাই
ঘোৰা আওৰাই
ভয় নাই ভয় নাই।
যি দেশত জনমিল সতী জয়মতী
সেই দেশ জগত মাজত
নোৱাৰে পৰিব পিছ,
উঁন্নতিক ধৰিব সাবটি,
জগতৰ জাতীয় সভাত
ৰংমনে জীৱনৰ দিব পুণ্যাহুতি।
—হাঁহিমুখে মাগিব মৰণ,
তিয়াগিব নশ্বৰ জীৱন,
প্ৰতিধ্বনি উঠি কব শূন্যে শূন্যে উৰি
"কোৱা নাই, কোৱা নাই, স্বামীৰ বাতৰি॥"

* ২৯।৩।৩২ তাৰিখে কলিকতাৰ এ-এছ-এল ক্লাবৰ জয়মতী স্মৃতি-উৎসৱত পঠিত।

অসম-জীয়ৰী অমৃতপ্ৰভা

—অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা, এম্-এ, বি-এল্

ভাৰতৰ দুই সীমান্তত দুখন ৰাজ্য, কাশ্মীৰ আৰু কামৰূপ। যি কালত কামৰূপৰ ভাগ্য-বিধাতা প্ৰসন্ন আছিল, ভাৰতৰ নানা ঠাইৰ ৰাজ-পুৰুষসকলে জগদ্ভৱংশীয় কোনো কন্যাৰ পাণিগ্ৰহণ কৰিব পাৰিলে নিজকে গৌৰৱান্বিত বুলি ভাবিছিল, সেই কালত কামৰূপেশ্বৰ দুহিতা অমৃতপ্ৰভাই কাশ্মীৰৰ ৰাজপ্ৰাসাদৰ শোভা বৰ্দ্ধন কৰিছিল। অমৃতপ্ৰভা বুৰঞ্জীৰ উপেক্ষিতা। কিন্তু কাশ্মীৰৰ বুৰঞ্জীত আৰু ভাৰতত বৌদ্ধধৰ্ম্মৰ অভ্যুদয়ৰ কাহিনীত অমৃতপ্ৰভাই খিলঞ্জীয়া খ্যাতি লাভ কৰি আছিছে।

কাশ্মীৰৰ বুৰঞ্জী কহ্লান-বিৰচিত "ৰাজতৰঙ্গিনীত" অমৃতপ্ৰভাৰ নাম পোৱা যায়। তাৰ উপৰি চীন-পৰ্য্যটক হুঁৎ-চং ৰচিত কাশ্মীৰৰ বিৱৰণতো তেওঁৰ উল্লেখ আছে। কিন্তু এনে এগৰাকী বুৰঞ্জী-প্ৰসিদ্ধ অসম-জীয়ৰীৰ বিষয়ে তেওঁৰ বৰ্ত্তমান যুগৰ বাই-ভনী আৰু ভাই-ককাইসকলে একোকে নাজানে। নাজানিবৰ কথাই !

খৃষ্টীয় প্ৰথম শতিকাত কাশ্মীৰত মেঘবাহন নামে এজন পৰাক্ৰমী ৰজাই ৰাজত্ব কৰে। অমৃতপ্ৰভা এই মেঘবাহন ৰজাৰ পটেখৰী আৰু প্ৰধানা ৰাজমহিষী আছিল। তেওঁৰ পিতাক আছিল কামৰূপৰ অধিপতি, কিন্তু এইজনা কামৰূপেশ্বৰ নাম জানিব পৰা নগল, তেওঁ ভগদত্তবংশীয় আছিল বুলি নিশ্চয়কৈ ধৰিব পাৰি। কাশ্মীৰৰজাৰ বৰকুঁৱৰী হৈ অমৃতপ্ৰভাই বৌদ্ধধৰ্ম্মৰ উন্নতিৰ অৰ্থে ভিক্ষুকসকল থাকিবৰ কাৰণে এটি বিহাৰ স্থাপন কৰে, তাৰ ভগ্নাৱশেষ বৰ্ত্তমান কাশ্মীৰৰ ৰাজধানী শ্ৰীনগৰৰ পৰা তিনিমাইলমান দূৰৈত এতিয়াও দেখিবলৈ পোৱা যায়। এই বিহাৰৰ নাম "অমৃতভৱন", আৰু কাশ্মীৰৰ মানুহৰ মুখত পৰি পাচলৈ ইয়াৰ নাম 'অন্তভৱনত' পৰিণত হয়। বহুকাললৈকে বৌদ্ধভিক্ষুক আৰু পৰিব্ৰাজকসকলে এই বিহাৰত আশ্ৰয় লাভ কৰিছিল। অসম-মাতৃৰ কুকুৰ পৰা গৈ অমৃতপ্ৰভাই দুবদুৰণিৰ বিদেশী ৰাজ্যত প্ৰতিষ্ঠা লাভ কৰি চিৰস্মৰণীয় হৈ ৰৈছে। দুখুনী অসম-আইৰ সন্তান সকলৰ কাৰণে ইয়াতকৈ আৰু কি গৌৰৱান্বিত হব পাৰে ?

মেঘবাহনৰ আগৰজনা কাশ্মীৰ-অধিপতিৰ নাম আছিল সন্ধিসংৰ বা আৰ্য্যৰাজ। তেওঁ ধৰ্ম্ম-চৰ্চ্চাত কাল কটোৱাত গুৰু ৰাজ্যভাৰ বহন কৰা তেওঁৰ পক্ষে অসম্ভৱ হৈ উঠিল। এইদৰে দুকুৰি সাতবছৰ গল। প্ৰজাসকল অসন্তুষ্ট হৈ সামৰ্থ্যবান বজাক কাশ্মীৰৰ ৰাজপাটত অধিষ্ঠিত কৰিবলৈ উপযুক্ত ৰাজকোঁৱৰ বিচাৰিব ধৰিলে। বিশেষকৈ ভয় আছিল কাশ্মীৰৰ সমীপবৰ্ত্তী গান্ধাৰৰ ৰজাবপৰা। মন্ত্ৰীসকলে ভাবিলে,—"অসমৰ্থ ৰজাই ৰাজ্য ৰক্ষা কৰিব কে নকৈ?"

যুধিষ্ঠিৰৰ পৰিনাতি গোপাদিত্য কৌৱৰক গান্ধাৰৰ ৰজাই কাশ্মীৰ আক্ৰমণ কৰিবলৈ সুবিধা হব বুলি পোহপাল দি ৰাখিছিল। গান্ধাৰত শৰণাগতভাৱে থাকোঁতে গোপাদিত্যৰ এটি কৌৱৰ জন্ম হয়; তেওঁৰ নাম মেঘবাহন। লাহে লাহে কৌৱৰৰ বিবাহযোগ্য বয়স হল। এনে সময়ত প্ৰাগজ্যোতিষ ৰাজ্যৰ বিষ্ণুবংশীয় নৃপতিৰ কন্যা অমৃতপ্ৰভাৰ স্বয়ম্বৰ সভাৰ আয়োজন হল। ভাৰতৰ প্ৰাচীন ৰীতি অনুসৰি সেই স্বয়ম্বৰলৈ দেশ-বিদেশৰ ৰজা আৰু ৰাজপুত্ৰক নিমন্ত্ৰণ কৰা হল। গোপাদিত্যই ভাবিলে, তেওঁৰ বিপন্ন অৱস্থাত পুতেক কামৰূপৰ ৰাজকন্যাৰ নিৰ্ব্বাচিত স্বামী হব পাৰিলে বিক্ৰম, যশস্যা আৰু ঐশ্বৰ্য্য

সকলোৰে প্ৰতিপত্তি বাঢ়িব। সেইদেখি গোপাদিত্যই কৈ-মেলি পুতেক মেঘবাহন কোঁৱৰক গান্ধাৰৰ পৰা প্ৰাগজ্যোতিষপুৰলৈ অমৃতপ্ৰভাৰ স্বয়ম্বৰলৈ পঠিয়ালে।

ভগদত্তবংশীয় ৰাজপৰিয়ালৰ এটি অলৌকিক সম্পত্তি আছিল,—অতি পূৰ্ব্বকালৰ নৰকাসুৰ ৰজাই বৰুণদেৱতাৰ পৰা কাঢ়ি লোৱা ছত্ৰ। ৰাজলক্ষণসম্পন্ন কোনো পুৰুষৰ মূৰৰ ওপৰত এই ছত্ৰ মেলি ধৰিলে ই শীতল ছায়া নিক্ষেপ কৰে, অন্যৰ ওপৰত হলে ইয়াৰ এই অলৌকিক প্ৰভাৱ দেখা নগৈছিল। অমৃতপ্ৰভাৰ স্বয়ম্বৰত এই ছত্ৰ ব্যৱহাৰ কৰা হৈছিল। বোধকৰোঁ ৰাজকন্যাই স্বয়ম্বৰ-মালা হাতত লৈ সখী-সহচৰীসমন্বিতে নৃপতি আৰু ৰাজপুত্ৰসকলৰ কাষ চাপোঁতে ছত্ৰধাৰী পৰিচাৰকে এজনৰ পাচত এজনকৈ প্ৰত্যেক পুৰুষৰ ওপৰত এই ছত্ৰ মেলি ধৰিছিল। ৰাজপুত্ৰ মেঘবাহনৰ ওপৰত ধৰোঁতে ছত্ৰৰ পৰা নিৰ্গত শীতল ছায়াই কোঁৱৰক আৱৰি ধৰিলে। ৰাজকন্যাই ইয়াকে দেখি বুজিব পাৰিলে মেঘবাহন একালত ৰাজাধিৰাজ চক্ৰবৰ্ত্তী ৰজা হব। সেইমতে অমৃতপ্ৰভাই মেঘবাহনৰ কণ্ঠত বৰমাল্য অৰ্পণ কৰিলে। তাৰ পাচত দুয়োৰে বিবাহ-উৎসব সম্পাদন হল।

স্বয়ম্বৃতা অসম-জীয়ৰী অমৃতপ্ৰভা আৰু অজস্ৰ যৌতুক-সম্পত্তি লগত লৈ মেঘবাহন যুৱৰাজ গান্ধাৰত থকা পিতৃদেৱ গোপাদিত্যৰ ওচৰ পালেগৈ। মানুহে কয় "তিৰুতাৰ কপালে ধন, পুৰুষৰ কপালে জন"। লক্ষ্মীস্বৰূপিণী অসম-জীয়ৰী অমৃতপ্ৰভাক বিয়া কৰোৱাৰ পাচত পলৰীয়া ৰাজপুত্ৰ গোপাদিত্যৰ পুতেক মেঘবাহনৰ ভাগ্য-আকাশত সৌভাগ্য-সূৰুযে দেখা দিলে। কাশ্মীৰৰ প্ৰজাবৃন্দই পাত্ৰ-মন্ত্ৰী সহিতে গান্ধাৰলৈ গৈ মেঘবাহনক কাশ্মীৰৰ ৰাজসিংহাসন যাচিলে। ইতিপূৰ্ব্বে মেঘবাহনৰ পূৰ্ব্বপুৰুষসকলে অৰ্থাৎ গোনন্দীয় বংশই ১০০২ বছৰ কাশ্মীৰৰ ৰাজপাট খাইছিল। তাৰ পাচত ১৯২ বছৰ ধৰি অন্য বংশৰ ৰজা কাশ্মীৰৰ অধীশ্বৰ হৈছিল, আৰ্য্যৰাজ এই নতুন বংশৰ শেষ ৰজা। এতিয়া পাত্ৰ-মন্ত্ৰীসকলে মেঘবাহনক কলে—"এই কাশ্মীৰ ৰাজ্য তোমাৰ বংশৰ ৰজাসকলৰহে যোগ্য"।

ধৰ্ম্মপ্ৰাণ আৰ্য্যৰাজ ৰজাই এই কথাৰ সম্ভেদ পাই নিজ-ইচ্ছামতে সিংহাসন ত্যাগ কৰি ভিক্ষুকৰ বেশ পিন্ধি হাতত কমণ্ডলু লৈ উত্তৰাভিমুখে গৈ অৰণ্যত সোমাল। তাৰ দিনচেৰেকৰ পাচত নন্দীক্ষেত্ৰত তেওঁ ভস্ম-ছাই দেহত সানি ৰুদ্ৰাক্ষৰ মালা লৈ জটা বান্ধি প্ৰকাশ্যে সন্ন্যাসব্ৰত গ্ৰহণ কৰিলে। তেওঁ ইমান নিয়মীয়াকৈ সন্ন্যাসব্ৰত মানি চলিছিল যে আশ্ৰমবাসী ঋষিপত্নীসকলে তেওঁক ভিক্ষা-মুঠি দিবলৈ ব্যগ্ৰ হৈছিল, কিন্তু কহ্লানে কয় যে গছৰ ফল আৰু কুসুমমঞ্জৰীয়ে ৰাজৰ্ষিৰ কমণ্ডলু পূৰ্ণ কৰাত ভিক্ষুকৰ অৱস্থাতো তেওঁ পৰমুখাপেক্ষী প্ৰাৰ্থী হব লগাত নপৰিছিল।

যুৱৰাজ মেঘবাহনে পাত্ৰ-মন্ত্ৰীৰ অনুৰোধ ৰক্ষা কৰি গান্ধাৰৰ পৰা আহি কাশ্মীৰৰ ৰাজসিংহাসনত বহিল। ৰাজদণ্ড হাতত লৈও নানান ধৰ্ম্মকাৰ্য্যত লিপ্ত থকাত এওঁ পূৰ্ব্ববৰ্ত্তী বোধিসত্বসকলৰ গুণ গৰিমাক চেৰ পেলাইছিল। সিংহাসনত উঠা উৎসৱত তেওঁ বিষয়াৰ হতুৱাই জীৱহত্যা নিষেধ কৰি আজ্ঞা প্ৰচাৰ কৰিলে। আৰু যিবোৰ মানুহে মঙহ বেচি জীৱিকা উলিয়াইছিল সিহঁতৰ পোহপালৰ নিমিত্তে ৰজাঘৰৰ পৰা ধন দিয়াৰ ব্যৱস্থা কৰিলে। তাৰ পাচত মেঘবাহন ৰজাই 'মেঘবন' আৰু 'মেঘমঠ' নামে অগ্ৰহাৰ নিৰ্ম্মাণ কৰি বৌদ্ধধৰ্ম্মৰ পৃষ্ঠপোষক বুলি প্ৰসিদ্ধি লাভ কৰিছিল।

স্বামীৰ ধৰ্ম্ম অনুসৰণ কৰি ৰাজমহিষী অমৃতপ্ৰভাই বিদেশী ভিক্ষুকসকলৰ উপকাৰৰ অৰ্থে অমৃতভবন নামে বিহাৰ নিৰ্ম্মাণ কৰিলে। পাচলৈ এই বিহাৰ প্ৰাকৃতমতে 'অমিতভবন', আৰু কাশ্মীৰৰ মানুহৰ মুখত পৰি 'অন্তভবন' বুলি জনাজাত হল। কামৰূপৰ ৰাজচ'ৰাত স্তুন্‌পা নামে লোহ বা তিব্বতদেশীয় এজন পণ্ডিত আছিল, তেওঁ কামৰূপেশ্বৰৰ গুৰু আছিল। অমৃতপ্ৰভাই পিতৃৰাজ্যৰ পৰা স্তুন্‌পাক কাশ্মীৰলৈ লৈ যায়। এই স্তুন্‌পাই এটি বৌদ্ধস্তূপ নিৰ্ম্মাণ কৰে, তাৰ নাম হল "লো-স্তোন্‌পা"। অমৃতপ্ৰভাৰ উদাহৰণ লৈ সতিনীয়েকৰ কীৰ্ত্তি নিষ্প্ৰভ কৰিবৰ মনেৰে মেঘবাহনৰ আৰু এগৰাকী কুঁৱৰী যুকদেবীয়ে "নড়বন" নামে বিহাৰ নিৰ্ম্মাণ কৰে। আৰু এগৰাকী সতিনীয়েক ইন্দ্ৰদেবীয়ে "ইন্দ্ৰদেবীভবন" নামে

বিহাৰ নিৰ্ম্মাণ কৰে। মেঘবাহনৰ আন আন কুঁৱৰীয়েও তেওঁলোকৰ নিজ নিজ নামে বিহাৰ নিৰ্ম্মাণ কৰে।

তাৰ পাচত মেঘবাহন ৰজাই অহিংসা ধৰ্ম্মৰ বিস্তাৰৰ কাৰণে কামৰূপৰ পৰা অনা বৰুণ-ছত্ৰ লগত লৈ দিগ্বিজয় যাত্ৰা কৰিলে যাতে আন আন ৰজায়ো জীৱহত্যা-নিষেধ আজ্ঞা মানি চলে। সৈন্যসামন্ত সহিতে যাত্ৰা কৰি মেঘবাহনে লঙ্কাদ্বীপ অধিকাৰ কৰিলেগৈ। ৰাক্ষসৰ দেশ লঙ্কাপুৰীত অহিংসা ধৰ্ম্ম প্ৰৱৰ্ত্তন কৰি মেঘবাহন ৰজা কাশ্মীৰলৈ উভতি আহিল।

একুৰি চৈধ্যবছৰ ৰাজত্ব কৰাৰ পাচত মেঘবাহন ৰজাৰ মৃত্যু হয়। অমৃতপ্ৰভাৰ পাচছোৱা কাহিনীৰ বিষয়ে একো জনা নাযায়। এওঁৰ পাচত শ্ৰেষ্ঠসেন ৰজা হয়, এওঁৰ আন নাম প্ৰবৰসেন আৰু তুঞ্জীন। এওঁ অমৃতপ্ৰভাৰ পুত্ৰ নে আন মহিষীৰ পুত্ৰ সেই বিষয়ে 'ৰাজতৰঙ্গিনী' নিমাত। কিন্তু বহুদিনলৈকে 'অমৃতপ্ৰভা' এই নামটো কাশ্মীৰৰ ৰাজমহিষীসকলৰ আখ্যা স্বৰূপে পোৱা যায়। মেঘবাহনৰ ১৭৭ বছৰৰ পাচত ৰণাদিত্য ৰজা হয়। তেওঁৰ এগৰাকী মহিষীৰ নাম আছিল অমৃতপ্ৰভা। ৰণাদিত্যৰ ৫২৮ বছৰৰ পাচত জয়পীড়-বিনয়াদিত্য ৰজা, তেওঁৰ মাকৰো নাম আছিল অমৃতপ্ৰভা; পুতেক জয়পীড়ৰ টান নৰিয়া হোৱাত এই গৰাকী অমৃতপ্ৰভাই "অম্ৰটকেশ্বৰ" নামে মন্দিৰ নিৰ্ম্মাণ কৰে। এই 'অমৃত-প্ৰভা' নামৰ প্ৰচলনৰ পৰা প্ৰথম গৰাকী অমৃতপ্ৰভা অসম-জীয়ৰীৰ প্ৰসিদ্ধিৰ কথা অনুমান কৰিব পাৰি।

অসমৰ জীয়ৰী অমৃতপ্ৰভাৰ পাচত কামৰূপেৰে সৈতে কাশ্মীৰৰ আৰু এবাৰ সংস্পৰ্শ হয়। খৃষ্টীয় অষ্টম শতিকাত মুক্তাপীড়-ললিতাদিত্য নামে এজন দিগ্বিজয়ী ৰজা কাশ্মীৰৰ সিংহাসনত বহে। তেওঁ কনৌজৰ ৰজা যশোবৰ্ম্মণ আৰু তুৰস্কবোৰক পৰাজয় কৰি উত্তৰ-ভাৰতৰ মাজেদি চোঁচা মাৰি ভুটান আৰু তিব্বত অধিকাৰ কৰে। তাৰ পাচত প্ৰাগজ্যোতিষ অধিকাৰ কৰি স্ত্ৰীৰাজ্য আক্ৰমণ কৰে। ৰাজতৰঙ্গিনীৰ মতে, "ললিতাদিত্যই লোকশূন্য প্ৰাগজ্যোতিষপুৰলৈ গৈ তেওঁৰ সৈন্যসকলে দগ্ধ কৰা কৃষ্ণ-অগৰু বনৰ পৰা ওলোৱা ধূপৰ ধোঁৱা দেখা পাইছিল। সমুদ্ৰৰ সদৃশ মৰুভূমিত জলপ্ৰবাহৰ দৰে মৰীচিকা দেখা গৈছিল, আৰু তেওঁৰ হাতীবোৰক ঘৰিয়াল বুলি ভ্ৰম হৈছিল। স্ত্ৰীৰাজ্যৰ তিৰোতাসকলে গজৰাজিৰ কুম নেদেখুৱাইছিল সঁচা, কিন্তু তেওঁলোকৰ উন্নত পয়োধৰ উলিয়াই কাশ্মীৰৰ সৈন্যৰ চিত্ত চঞ্চল কৰিছিল। স্ত্ৰীৰাজ্যৰ অধিশ্বৰীয়ে ললিতাদিত্যৰ ওচৰলৈ যাওঁতে তেওঁৰ অঙ্গৰ কম্পন আদি বিকাৰ দেখি কোনেও স্থিৰ কৰিব নোৱাৰিছিল যে এই বিকাৰ অনুৰাগ নে ভয়ৰ পৰা প্ৰসূত"। কিছুমান বুৰঞ্জীলিখকে স্ত্ৰী-প্ৰাধান্য বা মেট্ৰিয়াৰ্কি-প্ৰথা-প্ৰচলিত জয়ন্তীয়া আৰু খাচীয়া ৰাজ্যকে এই স্ত্ৰীৰাজ্য বুলি ঠাৱৰ কৰিছে, খেনোৰ মতে এই ৰাজ্যক 'প্ৰমীলাৰ দেশো' বোলে।

'ৰাজতৰঙ্গিনীৰ' মতে মেঘবাহনে কামৰূপৰ বৰুণ-ছত্ৰ কাশ্মীৰলৈ লৈ যায়, আৰু তেওঁ দিগ্বিজয়-যাত্ৰাত এই ছত্ৰ ব্যৱহাৰ কৰাৰ কথা উল্লেখ আছে। কিন্তু বাণ-বিৰচিত 'হৰ্ষচৰিত'ৰ মতে খৃষ্টীয় সপ্তম শতিকাত এই ছত্ৰ কুমাৰ ভাস্কৰবৰ্ম্মাৰ সম্পত্তি আছিল। সম্ৰাট হৰ্ষবৰ্দ্ধনৰ মিত্ৰতা প্ৰাৰ্থি ভাস্কৰবৰ্ম্মাই হংসবেগ দূতক স্থানেশ্বৰলৈ পঠিয়াওঁতে এই 'আভোগ' নামে ছত্ৰ উপহাৰৰ সৰ্ব্বপ্ৰধান সামগ্ৰী আছিল, আৰু হংসবেগে এই ছত্ৰৰ অলৌকিক মাহাত্ম্য বিশেষ যত্নেৰে বৰ্ণনা কৰিছিল। এই ছত্ৰৰ মহিমা দেখি সম্ৰাট হৰ্ষবৰ্দ্ধনে কবলৈ ধৰিলে,—"এনে এটা অমূল্য উপহাৰৰ প্ৰতিদান আমৰণ মিত্ৰতাৰ বাহিৰে আন কি হব পাৰে?"

স্বদেশৰ পৰা গৈ বিদেশত প্ৰতিষ্ঠা লাভ কৰা আৰু কেবাগৰাকীও অসমৰ জীয়ৰীৰ নাম পোৱা যায়। মহাভাৰত আৰু পুৰাণমতে উষা, ৰুক্মিণী, ভানুমতী, উলুপী আৰু চিত্ৰাঙ্গদা। 'দশকুমাৰচৰিত'ত বিকটবৰ্ম্মা ৰজাই কামৰূপৰ নৃপতি কলিন্দবৰ্ম্মাৰ পৰম ৰূপৱতী আৰু গুণৱতী কন্যা কল্পসুন্দৰীক বিয়া কৰাইছিল; কাল্পনিক যদিও ই কামৰূপৰ পক্ষে গৌৰৱৰ কথা। বুৰঞ্জীমতে এইসকলৰ নাম পোৱা যায়।—

খৃষ্টীয় অষ্টম শতিকাৰ নেপালৰ ৰজা জয়দেৱৰ মহিষী

গৌড়-ওড্র-কলিঙ্গ-কোশলপতি হর্ষদেৱৰ কন্যা ভগৱন্তৱাজ-কুলজা ৰাজ্যমতী।

আওবংজেৱৰ পুত্ৰ চুলতান আজমতৰাৱ বেগম, স্বর্গদেহ জয়ধ্বজসিংহ মহাৰাজাৰ কন্যা আৰু মোমাই-তামুনী ৰবৰকৰাৰ নাতিনী ৰমণী গাভকু বা বহমত বাহু বেগম। এওঁৰ নামেৰে দিল্লীত 'আইদেউপুখুৰী' এটি আছিল বুলি প্ৰবাদ আছে। আওবংজেৱৰ মৃত্যুত আজমতৰা দিন-দিহেকৰ নিমিত্তে সিংহাসনত বহাত অসম্ৰৱ জীৱনী ৰমণী গাভকু দিল্লীশ্বৰী হৈছিল বুলি অনুমান কৰিব পাৰি।

মানৱজা বডোৱাফাৰ মহিষী বব্জিলী গাভকু। এওঁ দ্রুহ্যা আহোমৰ ধৱৰ জীৱনী। বদন বৰফুকন মানৱজাৰ সহায়প্ৰাৰ্থী হোৱাত এই গৰাকী কুঁৱৰীয়ে ৰঙ্গাক খাটি-লুটি অসমলৈ মানসেনা পঠিয়াই একে দ্রুহৰাৰ ধৱৰ বদনচন্দ্ৰক অসমত প্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা কৰিছিল। ৰঙ্গিলীয়ে বৰ্ম্মাৰ ৰাজনগীত পোন-প্ৰথমে প্ৰৱেশ কৰোঁতে যি আড়ম্বৰ আৰু উৎসৱ হৈছিল, বহুত ৰাজ-ৰাজেশ্বৰীৰ কপালত তেনে সন্মান ঘটা নাই।

বডোৱাফাৰ পৰৱৰ্ত্তী মানৱজা বাগ্যিদোৱাৰ মহিষী আৰু তুঁগুঙ্গীয়া গোপেশ্বৰ কোঁৱৰৰ ভনীয়েক হেমো আইদেউ। চন্দ্ৰকান্ত ৰঙ্গাই মানেৰে মিত্ৰতা কৰোঁতে এওঁক মানৱজানীৰে উপহাৰ দিছিল। এওঁ মানৱজাৰ অন্তেষ্পুৰত ভালো নেণাহা নামে জনাজাত হৈছিল। এওঁ প্ৰৱৰ্ত্তিবৰ কাৰণে কেৱনমান গাওঁ জাইগিৰি দিয়া হৈছিল, সেই ঠাই এতিয়াও ভামো নামে অভিহিত।

টোকা।—ৰাজতৰঙ্গিনীৰ দ্বিতীয় তৰঙ্গত অমৃতপ্ৰভাৰ স্বয়ম্বৰ কথা পোৱা যায়। কাশ্মীৰ-বিজয় আশাৰে গান্ধাৰ-নৃপতিয়ে গোপাদিত্যক আশ্ৰয় দিওৱাৰে পৰা কাশ্মীৰৰ ৰজা আৰ্য্যৰাজে সিংহাসন এৰিবলৈ ইচ্ছুক হোৱাৰেপৰা বৰ্ণনা ৰখা মূল সংস্কৃত শ্লোককিটা তলত তুলি দিয়া হল।—

ভূপোপ গোপাদিত্যাখ্যঃ কাশ্মীরেন্দ্রক্ষিতীয়রা।
মুখিষ্টপ্রপৌত্রঃ হ গান্ধারাধিপতিস্তদা॥
বসন্নপাস্তনাম্নাজ্ঞাঃ স তত্ত উদ্ধং ক্রমাৎ।
অবাপ লক্ষনৈদিব্যৈবমোঘঃ মেঘবাহনঃ॥
স সুবা পিতুরাদেশাৎ বঙ্গবাষ্ট্রজনন্দনঃ।
বাহুঃ প্রাগজ্যোতিষেশ্রস্ত যমো কস্তাম্বয়বেবে।
তত্র তং বাক্যং হত্বা দ্বারস্থা রাজনন্দিনী।
জেজে বৰপ্রজা বাতকক্ষকা চামুণ্ডপ্রভা॥
তেন তস্ত নিমিত্তেন বৃদ্ধিমাপামিনীং জনাঃ।
অজানন্নঘুহাহস্ত পাশ্চাত্যেনৈব বায়ুনা॥
বাজা হি নবকেনৈতদ্বরপাদুকবাবাস্।
আনীতমকবোচ্ছাস্ত্রাঃ ন বিনা চক্রবর্ত্তিনম্॥
তমস্তিকং পিতুঃ প্রাপ্তং পত্নী লক্ষ্মী চ সংশ্রিতম্।
তুষা নিমন্ত্রয়ামাস্থর্শ্চিত্রিণো বংশযোগ্যয়া॥
অথার্য্যবাজো বিজায় যবাজ্যং ভৈরবস্তবম্।
প্রতিচক্রে ন সক্তোঽপি তস্থৌ তু ত্যক্তমুহ্যকঃ।

অসম-জীৱনী অমৃতপ্ৰভাৰ বিষয়ে বৰ্ত্তমান লিখকে ইতিপূৰ্ব্বে কেৱা ঠাইতো উল্লেখ কৰিছিল,—(১) ১২৯৬ চনত ধুবুৱীত বহা অসম-সাহিত্য-সম্মিলনৰ বুৰঞ্জী শাখাৰ অধিবেশন, আসাম-সাহিত্য-সভা-পত্ৰিকা, ১ম বছৰ, ৯৮-৯১ পিঠি ; (২) 'আগৰ দিনৰ অসমীয়া তিৱোতা' প্ৰবন্ধ, মিলন, ১৮৯৯ শক, জেঠ, ২২-২৩ পিঠি ; (৩) চানেকি, প্ৰথম প্ৰবন্ধ 'অসমীয়া তিৱোতা', ৯ আৰু ৮৯ পিঠি ; (৪) An Assamese Nur Jahan, Introduction, ১ পিঠি। কিন্তু অমৃতপ্ৰভাৰ কাহিনীয়ে অসমীয়া ৰাইজৰ মন যথোচিতভাৱে আকৰ্ষণ কৰিব পৰা নাই। সেইদেখি অসমীয়াৰ আদৰৰ "আৱাহন"ত অমৃতপ্ৰভাৰ বিষয়ে সকলো কথা সংগ্ৰহ কৰি এই প্ৰবন্ধ লিখা হল। অসমৰ গৌৱৱপূৰ্ণ অতীত কাহিনী পোহৰলৈ আনিবৰ মনেৰে যিসকলে কাব্য, উপন্যাস আৰু নাটক ৰচনা কৰিব খোজে তেওঁলোকৰ লেখনীৰ সহায়ত অমৃতপ্ৰভাৰ অমৃতময় নামটি যেন চিৰস্মৰণীয় হয়।

কাশ্মীৰ আৰু কামৰূপৰ মাজত এটি কথাত মিল দেখা যায়। প্ৰাচীন হিন্দুকলৰ ধৰ্ম্ম-নীতি-বিজ্ঞান সকলোবে বিষয়ে সাহিত্য আছে, কিন্তু অনিত্য সংসাৰৰ কাৰ্য্যকলাপেৰে পৰিপূৰ্ণ ৰাজকাহিনী বা বুৰঞ্জী-সাহিত্যই আধ্যাত্মিকতাবাদী ভাৰতীয় সভ্যতাত ঠাই নাপাইছিল। বুৰঞ্জী-সাহিত্যৰ অভাৱলৈ আঙুলিয়াই দেখুৱাই বহুত পাশ্চাত্য পণ্ডিতে আক্ষেপ কৰে। কিন্তু কাশ্মীৰৰ বুৰঞ্জী 'ৰাজতৰঙ্গিনী' আৰু অসমৰ বিবিধ বুৰঞ্জী-সাহিত্যই ভাৰতীয় সভ্যতাৰ এই অপৱাদ বহুত পৰিমাণে খণ্ডন কৰিছে। কাশ্মীৰ আৰু কামৰূপৰ সংস্পৰ্শত অসমীয়াৰ গৌৱৱ বুৰঞ্জী-সাহিত্যৰ উদ্ভৱ হল নে, নাইবা আহোমসকলৰ পৰা অসমত এই সাহিত্যৰ অৱতাৰণা হল, কিম্বা কামৰূপৰ পৰা কাশ্মীৰে এই সাহিত্য পালে, সেইটো আলোচনা কৰিব লগীয়া কথা। আহোমৰ সঁজাত অণ্ডান্য জ্ঞানজাতিৰ মাজতো বুৰঞ্জী লিখাৰ প্ৰথা আছিল। বৰ্ম্মা দেশত ইবোৰক 'আৱাৰিন' আৰু 'পংচৱদন' বোলা হয়।

খাম্বা-থোইবীৰ সাধুকথা

(আগৰ সংখ্যাৰ পিছৰপৰা)

উপন্যাস— শ্ৰীযুত ৰজনীকান্ত ৰবদলৈ, বি-এ

ইয়াৰ পিছত ৰঙ্গাই তিনিকুৰিমান মাইহ লগত লি ৰাজধানী নামেৰে দূত এজনক থুমান্ প্ৰদেশৰ ৰজাক এই বিষয়ে সম্বাদ দিবলৈ পঠিয়ালে। থুমানৰ ৰঙ্গাই এই সম্বাদ নি মাইহ লগোৱাই সেই নৈৰ পাৰৰ মুকলি পথাৰখনত নিৰৰ নিমিত্তে ৭০০ থান আৰু মৈৰাঙৰ ৰঙ্গা, পাত্ৰ, মিত্ৰ, ৌহৰৰ নিমিত্তে ৭০০ থান চাং পতোৱালৈ আৰু থুঁজৰ দি নিৰ্ব্বাৰণ কৰিলে।

ৰঙ্গাৰ আগত হোৱা ঘটনাটো খাম্বাই ঘৰলৈ আহি দুহক কোৱাত থুমুহুৱে কেতখিনি পৰ চিন্তা কৰি খাম্বাক ঙ্গাৰ টান বেড্ডমৰ ডোল দি কলে, "এই ষাঁড়টো আগেয়ে খাৰ পিতৃৰ গৰুৰ পালত আছিল। তাক এই ডোলডাল ৰুৱাই কৰা "হে মহাদেৱৰ বাহন! তুমি আগেয়ে খবৰে ষাঁৰ আছিলা। সেইদেখি এতিয়া মোক বিবোধ কৰিবা। মোক মানিবা।" এই বুলি কলেই ষাঁড়টো মাৰ বশ হব"। ভনীয়েকপবা এই উপদেশ পাই ৰ থুঁজলৈ ওলাল। থুমানৰ নৈৰ পাৰৰ পথাৰলৈ গৈ ৰজ দেখৰ ৰঙ্গা পাত্ৰ-মন্ত্ৰী সকলোকে সেৱা-সৎকাৰ কৰি খাই ষাঁড়টো বিচাৰি গৈ এটা টিলাৰ ওপৰত পালে। াঁড়টোৱে খাম্বাক দেখিয়েই গোনেই শিং জোকাৰি ালে চোঁচা এটা ললে। খাম্বাই অলপ বাগি মাৰি ইল হোৱাত বাইজে হাতচাপৰি মাৰি কলে—"ইঃ সি ন গালে, সি কি থুঁজ কৰিব ষাঁড়ৰ লগত!" এই কথাত াই চিএৰি কলে—"বাইজসকল! ধৈর্য্য ধৰক। ৰ ধোৱা নাই। থুঁজ কৰিবলৈ মই অলপ টান মাটি কিবিহে যাগি মাৰিছোঁ। চাই থাকক আপোনালোকে"। ই কি ষাঁড়টোৱে আকৌ খেদি আহিলত খাম্বাই ৰে দুটি পুতি ষাঁড়টোৰ শিং দুটাত দুহোহাতে ধৰি কিছু পৰ ষাঁড়টোৱে সৈতে ঠেলাঠেলি কৰি এবেলি ষাঁড়টোক হোঁহোকাই লৈ জাঁপ মাৰি ষাঁড়টোৰ গলত উঠি লল। ষাঁড়টোৱে বিশ্বাসঘাতে তেওঁক হাবিৰ মাজলৈ লৈ গল। বাঁজে চিএৰিব ধৰিলে "এইবাৰ ষাঁড়ে খাম্বাক প্ৰাণে মাৰিছে এবিব"। খাম্বাই বাইজৰ চিএৰ-বাখবলৈ কাণ নকৰি ষাঁড়ৰ পিঠিৰ ওপৰবেপবা অলপ হালি ষাঁড়টোৰ কাণত ভনীয়েকে শিকাই পঠোৱা কথা কেইবাৰ কলত ষাঁড়টো আপোনা-আপুনি থামি শান্ত হোৱাত খাম্বাই পিঠিৰ পবা নামি শিং দুটাত ডোলডাল বান্ধি ষাঁড়টোক হাবিৰ মাজৰপবা বচিডালত ধৰি উলিয়াই পথাৰলৈ আনিলত ষাঁবটোৱে অলপ বেলি বাইজৰ আগত খুটি পুতি বোৱাত এইটোকে এটা সুচল যেন ভাবি কোংযেম্বাই নিজৰ চাঙৰ পবা একে জাঁপে নামি লবি গৈ খাম্বাই ধবা ডোলডালত ধবি বল দি ষাঁড়টোক টানিব ধবিলে। এফেবা কৌতুক কবিবৰ নিমিত্তে খাম্বাই ডোলডাল এবি দিলে। কোংযেম্বাই ডোলডালত ধবি টানেহে টানে, ষাঁড়ৰ খুটিকে লবাব নোৱাবিলে। এনেতে খং উঠি ষাঁড়ে মুব জোকাবি খুটি এবি কোংযেম্বাৰ গাব ফালেলে অহা মাত্রেই কোংযেম্বাই ডোলডাল এবি দি প্ৰাণৰ ভয়ত কঁপি কঁপি দৌবি নিজৰ চাঙত উঠিলগৈ। আটাইবিলাক বাইজেই কোংযেম্বাৰ এনেকুৱা পবাজয় আৰু ভীকতা দেখি গিৰ্জনি মাৰি হাঁহিব ধবিলে। ইয়াৰ পিছত মৈৰাঙৰ ৰজাই খাম্বালৈ চাই কলে "বাক, খাম্বা! তই ষাঁড়টোৰ খুটি লবাই ষাঁড়টোক টানি আন আৰু তাব পিছত তাব লগত থুঁজি তাক কেনেকৈ বশ কবিব পাব, দেখুৱা।" ৰঙ্গাৰ এই আদেশত খাম্বাই ডোলডাল ধবি ষাঁড়টোক অলপ ইঙ্গিত কৰা মাত্রেই ষাঁড়টো খাম্বাৰ পাছে পাছে শান্তভাৱে খোজ

ললে। থাম্বাই গোন-প্রথমে সেই ষাঁড়টোক মৈবাঙৰ বজাৰ চাউৰ ওচৰলৈ আনি পাছপিনলৈ গৈ ষাঁড়টোক পাছ তপিনাত হেঁচা মাৰি দিয়া মাত্রেই ষাঁড়টোৱে আগ ঠেং দুখান মাটিত পাৰি মুৰ তললৈ কৰিলে। থাম্বাই জনালে যে ষাঁড়টোৱে বজাক সেৱা জনাইছে। পিছত তাক আকৌ ডোলত ধৰি লৈ গৈ ঘুমান বজাক সেইদৰে সেৱা কৰালে। তাৰ পিছত ঘুমহু আৰু থোইবী বহি থকা চাংখানৰ ওচৰলৈ নি সেইদৰে কৰালে। থোইবীৰ বাপেক যুৱৰাজকো সেইদৰে সেৱা কৰোৱাত সকলো ৰাইজেই তথা মানি থাম্বাৰ বল-বিক্রমক পাৰেমানে শলাগিলে। দুয়োজনা বজাই থাম্বাক বটা দিলে। ঘুমানৰ বজাই কলে যে তেওঁ নিঃসন্তান, সেইদেখি তেওঁ এই ডেকা বীৰজনাক নিজৰ পোষ্যপুত্র কৰি লব খোজে। মৈবাঙব বজা এই কথাত মাস্তি নহল আৰু কলে যে তেওঁৰ বাজ্যত সকৰেপৰা এই বীৰজন ডাঙৰ দীঘল হৈছে আৰু তেওঁ এই বীৰজনক তেওঁৰ জোঁৱাই কৰি লব খুজিছে।

ইয়াৰ পিছদিনা থাংজিং দেৱতাৰ পূজাৰ পৰ্ব্ব উপলক্ষে পূর্ব্বাপৰ ৰীতিমতে কাঁড়-দেম্বৰ খেল আৰম্ভ হল। এই খেল বজা আৰু যুবৰাজৰ মাজত হে হৈছিল। সমান সমান বীৰে বা সমনীয়া মানুহে কাঁড় মাৰে, যাৰে কাঁড় সৰহ দুৰলৈ যায় তেৱেঁই জিকে। বিষয়াসকলে আৰু খেলুৱইসকলে অতি সুন্দৰ সুন্দৰ কাপোৰকানি পিন্ধিছে এই খেলত নামিব পাৰে। প্রত্যেকটো খেল খেলোঁতে অথবা প্রত্যেকটো কাম কৰোতেই মণিপুৰীয়াসকলে বেলেগ বেলেগ বকমৰ কানিকাপোৰ পিন্ধিব লাগে। নাও খেলোতে এক বকমৰ কানিকাপোৰ, মাৰযুদ্ধ কৰোঁতে এক বকমৰ, পল' খেলোঁতে এক বকমৰ, কাঁড়-দেম্বুৰ খেল কৰোঁতে এক বকমৰ—ইত্যাদি বেলেগ বেলেগ কামত বেলেগ বেলেগ কানিকাপোৰ পিন্ধা নিয়ম। বজাই ৰাজপোছাক, মুকুট পিন্ধি কাঁড়-খেললৈ গৈছিল—যুবৰাজে আন আন সচৰাচৰ কাঁড়খেলত পিন্ধা ওণাৰ বনকৰা ছোলা এটা পিন্ধি যাব লাগে। এইবাৰৰ কাঁড়-দেম্বু খেলত সেই ছোলাটো বিচাৰি নাপাই তত্তুল্য আন এটা ছোলা পিন্ধি গৈছিল। এই বেলি যুবৰাজে সেই ছোলাটো নোপোৱাৰ কাৰণ হৈছিল, থোইবী লাইমাই (আইদেউ) সেই ছোলাটো পুৰণা যেন হোৱা দেখি আৰু থাম্বাৰ তেনেকুৱা ভাল ছোলা নথকা দেখি, সেই ছোলাটো বাপেকৰ মৃগুছি মাকৰ পুজি লৈ থাম্বাক পিন্ধিব দিছিল। থাম্বাই থোইবীয়ে দিয়া ছোলা দেখি অতি আদৰেৰে তাৰ সাধাৰণ ছোলাটোৰ তলত পিন্ধি সেই কাঁড়-খেললৈ গৈছিল। কাঁড় বজাই বা যুবৰাজে অকল এবেলি এবেলি মাৰি এবা নিয়ম নাছিল। অন্ততঃ তিনিবাৰ তিনিবাৰ মৰা নিয়ম আছিল। বজাৰ আদেশ হৈছিল যে বজাৰ কাঁড় কোংয়েম্বাই বুটলি আনি বজাক দিব আৰু যুবৰাজৰ কাঁড় থাম্বাই বুটলি আনি দিব। যেয়ে কাঁড় আগেয়ে আনি দিব সেয়ে বটা পাব। প্রথম বাৰত বজা আৰু যুবৰাজে কাঁড় মৰাত কোংয়েম্বাই বজাৰ, থাম্বাই যুবৰাজৰ কাঁড় আনি দিলে। কোংয়েম্বাতকৈ থাম্বাই শীঘ্রে কাঁড় আনি যুবৰাজক দিলে। পিছৰ বেলি বজা আৰু যুবৰাজ উভয়ে কাঁড় মাৰিলে। বজাৰ পাত যে আগ বাঢ়িলেই তদ্দণ্ডেই যুবৰাজৰ কাঁড়পাত থাম্বাই অতি শীঘ্রে লবি দৌ আহোঁতে দৌৰাং ওপৰৰ ছোলাটোৰ ওঙাম ছিগি পৰি যোৱাত,তলত ওণাৰ বন-কৰা ছোলাৰ বুৰণান ওলাই অহাত যুবৰাজে চিনি পালে যে থাম্বাই পিন্ধা ছোলাটো তেওঁৰে—নিশ্চয় জীয়েকে মনে মনে থাম্বাক দিছে। এই ভাবি থাম্বাই কাঁড় বুটলি আনি দিয়াত যুবৰাজে থাম্বাৰ হাতৰপৰা কাঁড় গ্রহণ নকৰি নিশ্চলে মুখ ফিৰোৱাত কোংয়েম্বাই থাম্বাৰ হাতৰপৰা কাঁড়ডাল গাপ মাৰি নি যুবৰাজক দিয়াত যুবৰাজে সেই কাঁড় গ্রহণ কৰি তাকে দুয়েবে আগতে প্রতিজ্ঞা কৰিলে যে তেওঁ তেওঁৰ জীয়েক থোইবী লাইমাক পাঁচ দিনৰ মুবত কোংয়েম্বালৈহে বিয়া দিব। থাম্বাক নিদিয়ে। যুবৰাজৰ এই প্রতিজ্ঞা তেওঁৰ ওচৰতে বহি থকা প্রধান মন্ত্রী নোংথোলবাই শুনি কলে—"ডাঙ্গবীয়া! আপুনি থাম্বাক কেলেই খং কৰিছে আৰু আপুনি কেলেই এনেকুৱাটো অঙ্গিকাৰ কৰিলে? আপোনাৰ থোইবী লাইমা এটা ফল বা ফুল নহয় যে আপুনি তাইৰ ইচ্ছাৰ বিৰুদ্ধে তাইক দাকে তাকে দিব। থাম্বা-থোইবী উভয়ৰে মন মিলিছে, উভয়ে উভয়ক ভাল পাইছে। উভয়ৰে মিলন হলে লৰাছোৱালী হাল পৰম সুখী হব। আপুনি বল কৰি তাইক আনলৈ দিলে, বিশেষ দুজনী তিৰোতা থকাজনলৈ দিলে, তাই কেতিয়াও সুখী নহব—তদুপৰি বজাই তাইক "থাম্বালৈ বিয়া দিম" বুলি শপত কাঢ়িছে। নোংথোলবাৰ এই কথাত যুবৰাজে কলে, "থোইবী মোৰ জীয়াৰী। এই দেশৰ দণ্ডবমতে মই তাইৰ হৰ্ত্তা-কৰ্ত্তা বিধতা। বজা তাইৰ হৰ্ত্তা-কৰ্ত্তা বিধতা নহয়। মই মোৰ জীক ম'তে ইচ্ছা ত'তে দিম। বজাই মোক হকা-বধা কৰিব নোৱাৰে।" যুবৰাজে কোৱা এই কথা বিলাক বজাই নিজ কাণে শুনিছিল যদিও খেলৰ ঠাইত যুবৰাজক কোনো কথা কোৱাটো যুক্তিসঙ্গত নহব যেন ভাবি মনে মনে বল।

খেল ভাগিলত যুবৰাজে ঘৰলৈ গৈ তেওঁৰ দৈবীয়েকসকলক থোইবীৰ বিয়াৰ আয়োজন কৰিবলৈ কলে, আৰু এইটো শুনাই দিলে যে তেওঁ পাঁচদিনৰ ভিতৰতে থোইবীক কোংয়েম্বালৈ বিয়া দিব। থাম্বালৈ কেতিয়াও থোইবীক নিদিয়ে। সেইদেখি কেৱে যেন থাম্বাই পঠোৱা কোনো ফল-ফুল নাৰাখে। যুবৰাজৰ এই আদেশ-বাণী থোইবীৰ মুবত বজ্রপাত পৰাৰ দৰে হল। বেচেৰীয়ে প্রথমতে মনে-মনে অলপ কান্দিলে; কিন্তু কেৱল কান্দি-কাটি নিজক দুৰ্ব্বল ভাবি দিন কটোৱা উচিত নহয় যেন জানি ক্ষত্রিয় কুমাৰী থোইবী আইদেউৰ বাণী-মাৰ ওচৰলৈ গৈ তলমুখ কৰি সকলো কথা কলে। বাণী-মাৰে সেই কথা বজাক জনোৱাত বজা-বাণী উভয়ে থোইবীক উৎসাহ দি কলে যে তেওঁলোকে তেওঁৰ থাম্বালৈহে দিব। তেওঁ নির্ভয়চিত্তেৰে প্রফুল্লমনেৰে থাকক। তেওঁ মুঠেই থাম্বালৈ খবৰ পঠিয়াব থাম্বাই যেন থোইবীৰ নিমিত্তে ফল-ফুল আদি ৰঙাঘৰলৈ পঠায়, যেন যুবৰাজৰ ঘৰলৈ নপঠায়। বজা-বাণীৰ এনেকুৱা আশ্বাস বাক্যত থোইবী আইদেউ সুস্থিৰ হৈ থাম্বালৈ এই খবৰ বাতৰি তেওঁৰ হাত-ধৰা লিগিৰীৰ আগত কৈ পঠিয়ালে।

—ক্রমশঃ

অসমীয়া সাহিত্যৰ উন্নতিত তেজপুৰীয়াৰ দান

—ৰায়বাহাদুৰ শ্রীযুত আনন্দচন্দ্র আগৰৱালা

এই প্রবন্ধত "তেজপুৰ" বুলিলে দৰং জিলাৰ সদৰ মহকুমা অর্থাৎ চাৰিছৱৰাৰ, নৱছৱাৰ আৰু ছয়ছৱাৰ মহল বা পৰগনা, আৰু "তেজপুৰীয়া" বুলিলে সেই ভূমিখণ্ডৰ অধিবাসী লোক বুলি বুজিব লাগিব।

ইংৰাজ গৱর্ণমেণ্টে আমাৰ অসম দেশ অধিকাৰ কৰাৰ দিনৰ পৰা এতিয়ালৈকে এই ১০৫ বছৰ কালৰ অসমীয়া সাহিত্যৰ আধুনিক বা বর্ত্তমান যুগ বোলা হয়। এই "বর্ত্তমান যুগত" অসমীয়া সাহিত্যৰ উন্নতিৰ নিমিত্তে তেজপুৰীয়াই কি কৰিলে বা কৰিছে, তাকে এই প্রবন্ধত চুকৈ লিখা হৈছে।

ইংৰাজী ১৮২৬ চনৰ ইয়াণ্ডাবুৰ সন্ধিমতে অসমদেশ ইংৰাজ গৱর্ণমেণ্টৰ হাতলৈ আহে। তেতিয়া গৱর্ণমেণ্টৰ অধিকাংশ কর্ম্মচাৰী বঙ্গালী আছিল। তেওঁলোকে ইংৰাজ কর্ম্মচাৰীসকলক এনেকৈ বুজাই দিলে যে অসমীয়া এটা বেলেগ ভাষা নহয়, বঙ্গলা ভাষাৰ অপভ্রংশ মাথোন। তাৰ ফলত ১৮৩৬ খৃষ্টাব্দত গৱর্ণমেণ্টে তেওঁলোকৰ কথাকে সাৰোগত কৰি অসমীয়া ভাষাক আদালত আৰু স্কুলৰ পৰা বাজ কৰি বঙ্গলা ভাষা চলালে। অসমীয়াৰ ভাষা, সাহিত্য আৰু জাতীয় উন্নতিৰ মুবত বৰ-কুঠাৰৰ কোব পৰিল। স্বর্গীয় আনন্দৰাম ঢেকীয়াল-ফুকন প্রমুখ্যে অনেক

গণ্যমান্য অসমীয়া মানুহৰ আৰু আমেৰিকান্ বেপ্টিষ্ট মিশ্যনৰ শিৱসাগৰত থকা পাদুৰি চাহাবসকলৰ অশেষ চেষ্টা আৰু যত্নত প্ৰায় দুকুৰি বছৰৰ মূৰত ১৮৭৩ খৃষ্টাব্দত অসম-বঙ্গ-বিহাৰ-উড়িষ্যাৰ লেফ্‌টেনেণ্ট গবৰ্ণৰ স্যাৰ জৰ্জ্জ কেম্বেল চাহাব বাহাদুৰে আকৌ অসমীয়া ভাষাক অসম উপত্যকাৰ (গোৱালপাৰা বাদে) সকলো পঢ়াশালি আৰু আদালতত চলাবলৈ আদেশ দিয়ে। তাৰ পাছৰ বছৰতে অসম দেশক বঙ্গদেশৰ পৰা বেলেগ কৰি আৰু বঙ্গৰ শ্ৰীহট্ট জিলাক অসমৰ লগত সাঙুৰি এখন পৃথক প্ৰদেশ গঠন কৰি চিফ্‌কমিশ্যনৰৰ শাসনাধীন কৰা হয়। এজন ইংৰাজ স্কুল-ইন্‌স্পেক্টৰ (Inspector of Schools)এই প্ৰদেশৰ শিক্ষা-বিভাগৰ গুৰিয়াল হয়। আমাৰ ভাষাত উপযুক্ত পাঠ্য-পুথিৰ অভাৱ দেখি ১৮৭৪ খৃষ্টাব্দৰ পৰা প্ৰায় ২৫ বছৰমান কাল প্ৰাইমেৰি স্কুলবিলাকত মাথোন গবৰ্ণমেণ্টে অসমীয়া ভাষা চলাইছিল। মজলীয়া আৰু ওখ খাপৰ স্কুল বিলাকত বঙ্গলা ভাষাৰ কিতাপ বহুদিনলৈকে চলি আছিল। এইবিলাক কাৰণত বৰ্ত্তমান যুগৰ আগছোৱাত অসমীয়া সাহিত্যই উদ্গতি কৰিব পৰা নাছিল। মজলীয়া ছাত্ৰবৃত্তি স্কুলত আৰু হাইস্কুলত বঙ্গলা কিতাপ পঢ়ি যিসকলে প্ৰথমে অসমীয়াত পুথি বা প্ৰবন্ধ লিখিছিল তাত বঙ্গলা ভাষাৰ প্ৰভাৱ দেখা গৈছিল।

আমাৰ প্ৰাইমাৰি স্কুলবিলাকত ১৮৮৪ খৃষ্টাব্দলৈকে তলত লিখা পুথিবিলাক চলি আছিল—

অসমীয়া লৰাৰ আদি পাঠ, আগছোৱা, মাজছোৱা আৰু শেষছোৱা—	৺হেমচন্দ্ৰ বৰুৱা
জ্ঞানাঙ্কুৰ—	৺পূৰ্ণকান্ত শৰ্ম্মা
অসমীয়া লৰাৰ মিত্ৰ—	৺আনন্দৰাম ফুকন
শিক্ষাসাৰ পদ্যমালা—	৺পদ্মহাস গোস্বামী

গণিত বোধ মৌখিক অঙ্ক—৺মহিমচন্দ্ৰ চক্ৰবৰ্ত্তী

অসমীয়া লৰাৰ ব্যাকৰণ—৺দীনবন্ধু তৰ্কালঙ্কাৰ

কাৰ্য্য-শিক্ষা—৺কালীৰাম বৰুৱা

৺মহিমচন্দ্ৰ চক্ৰবৰ্ত্তী দৰং জিলাৰ স্কুলসমূহৰ ডিপুটি ইন্সপেক্টৰ আছিল। ৺দীনবন্ধু তৰ্কালঙ্কাৰ তেজপুৰ নৰ্ম্মাল স্কুলৰ প্ৰধান শিক্ষক আছিল। দুয়োজন বঙ্গালী। অসমীয়া ভাষাত পুথি লিখাবাবে উভয়েই ধন্যবাদৰ পাত্ৰ। এতিয়াৰ কোনো অসমপ্ৰবাসী বঙ্গালীক অসমীয়া ভাষাত পুথি লিখা দেখা নেযায়।

যিসকল তেজপুৰীয়াই অসমীয়া সাহিত্যৰ উন্নতি-জনক কাম কৰিলে বা কৰি আছে তাৰ ভিতৰত প্ৰথমেই নিধি লেভি ফাৰৱেলৰ নাম লব পাৰি। কলংপুৰ মৌজাৰ সূতাৰগাৱঁত তেওঁৰ জন্ম হৈছিল। সৰুতে তেওঁৰ নাম আছিল নিধিৰাম কেওট। অসমৰ ভিতৰত প্ৰথমে শিৱসাগৰ আৰু গুৱাহাটীত হাইস্কুল স্থাপিত হয়। তেওঁ শিৱসাগৰৰ হাইস্কুলত পঢ়িবলৈ গৈ সেই ঠাইৰ এমেৰিকান বেপ্টিষ্ট মিশ্যনৰ পাদুৰিসকলৰ লগত চিনাকি হয় আৰু পাছে তাতে খ্ৰীষ্টান ধৰ্ম্ম গ্ৰহণ কৰি নিধি লেভি ফাৰৱেল নাম লয়। তেতিয়াৰ দিনত ইংৰাজী পঢ়িলেই খ্ৰীষ্টান হব লাগিব বুলি আমাৰ মানুহৰ মনত এটা অন্ধবিশ্বাস আছিল। সেই নিমিত্তে শিৱসাগৰ আৰু গুৱাহাটীৰ হাইস্কুলত প্ৰথমে আমাৰ অতি কম সংখ্যক লৰাকহে পঢ়িবলৈ পঠোৱা হৈছিল।

১৮৪৬ খ্ৰীষ্টাব্দত শিৱসাগৰৰ পৰা আমেৰিকান বেপ্টিষ্ট মিশ্যনৰ পাদুৰি চাহাবসকলে অৰুণোদয় নামে এখন মাহেকীয়া কাকত প্ৰকাশ কৰে। সেইখনেই অসমীয়া ভাষাত প্ৰথম বাতৰি-কাকত। নিধি লেভি ফাৰৱেলে এই কাকতত গদ্য আৰু পদ্য উভয় বিধৰ প্ৰবন্ধ লিখিছিল। তেওঁৰ "হিন্দুস্থান বুৰঞ্জী" (গদ্য), "নিস্তাৰৰ উপায়" (পদ্য), "প্ৰভু য়িচুখ্ৰীষ্টৰ অৱতাৰ" (পদ্য), "স্বৰগৰ বিবৰণ" (পদ্য), "বিনয় বচন" (পদ্য) আদি ভালেমান প্ৰবন্ধ আৰু চিঠি অৰুণোদয়ত ওলাইছিল। এখন চিঠিত তেওঁ তেওঁৰ জন্মভূমি কলংপুৰ মৌজাৰ সূতাৰগাওঁ অনেক দিনৰ মূৰত দৰ্শন কৰি সেই গাৱঁৰ অৱস্থাৰ কথা লিখিছিল। তেওঁ খৃষ্টান ধৰ্ম্ম সম্বন্ধে কেইখনমান সৰু সৰু গল্পৰ পুথি গদ্যত লিখি প্ৰকাশ কৰিছিল। তাৰে এখন "কণী বেহেৰুৱাৰ সাধু" এই লেখকে ইং ১৮৯৪ চনত শিৱসাগৰত থাকোতে পঢ়িবলৈ পাইছিল। ১৮৬৮ চনত ব্ৰন্‌চন্ চাহাবৰ অসমীয়াৰ পৰা অসমীয়া আৰু ইংৰাজী অভিধানখন ছপা

হৈ ওলায়। ফাৰৱেলে ব্ৰন্‌চন্ চাহাবক এই অভিধান সঙ্কলন কৰা কাৰ্য্যত সহায় কৰিছিল। এইখনেই অসমীয়া ভাষাৰ প্ৰথম অভিধান। শুনিবলৈ পাইছিলো যে আমেৰিকান বেপ্টিষ্ট মিশ্যনৰ সাহায্যত ফাৰৱেল আমেৰিকালৈকো গৈছিল। অসমীয়া ভাষাত "বাইবেল" ধৰ্ম্মশাস্ত্ৰ অনুবাদ কৰা কামত তেওঁ এই মিশ্যনক সহায় কৰিছিল। অসমীয়া সাহিত্যৰ বুৰঞ্জীত ফাৰৱেলৰ নাম চিৰকাল থাকিব বুলি আশা কৰিলোঁ।

পৰম পূজনীয় ৺হৰিবিলাস আগৰৱালা বৰ-দেউতাই অনেক পৰিশ্ৰম আৰু ধন খৰচ কৰি পুৰণি অসমীয়া সাহিত্যৰ ৰত্নস্বৰূপ "কীৰ্ত্তন", "নামঘোষা", "দশম", "ৰত্নাৱলী", "গুণমালা", "বৰগীত", "ভট্টিমা", "সীতা-সয়ম্বৰ নাটক", "গুৰুচৰিত্ৰ", "ৰিপুঞ্জয় স্মৃতি" আৰু "ৰত্নমালা ব্যাকৰণ" সাঁচিপতীয়া পুথিৰ পৰা নকল কৰাই ছপাই উলিয়ায়, ১৮৮১ খ্ৰীষ্টাব্দত "কীৰ্ত্তন"খন প্ৰথমে ছপা হৈ ওলায়। তেওঁৰ আগেয়ে কোনো অসমীয়াই এই কামত হাত দিয়া নাছিল। পুৰণি অসমীয়া সাহিত্য-ভঁৰালত কি যে ৰত্নৰাজি আছে, তাক যি সময়ত ভাৰতৰ কোনো প্ৰাদেশিক ভাষাত নাটক ৰচিত হোৱা নাছিল, সেই সময়ত যে আমাৰ ভাষাত নাটক আছিল আৰু বৰগীতৰ নিচিনা সঙ্গীত আছিল, তেওঁৰ পৰাই সৰ্ব্বসাধাৰণে প্ৰথমে জানিবলৈ পালে। তেওঁৰ উদ্যোগ আৰু অৰ্থসাহায্যত ৺ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাই অসমীয়া পুৰণি সাহিত্যৰ পৰা কিছুমান ভাল ভাল ভণিতা সংগ্ৰহ কৰি "কাব্য-কুসুম" নামে এখন পুথি প্ৰকাশ কৰিছিল। স্বামী শিৱনাৰায়ণ পৰমহংসৰ "সাৰ নিত্য-ক্ৰিয়া" পুথিখন তেওঁ অসমীয়া ভাষাত অনুবাদ কৰি ছপাই বিনামূল্যে বিতৰণ কৰিছিল। তেওঁ লিখা "লম্বোদৰ বৰাৰ জীৱনী" তেজপুৰৰ অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাত তেওঁ নিজে পাঠ কৰিছিল। সেই জীৱনী এখন মাহেকীয়া কাকতত ছপা হৈ গৈছে। স্বৰ্গীয় বৰা ডাঙ্গৰীয়াৰ অমৃতময়ী লেখনীৰ চানেকিৰে সৈতে জীৱনীখন পুথিৰ আকাৰত ছপা হৈ ওলাব বুলি আশা কৰা যায়। গমিৰিৰ পৈতৃক ঘৰত ৺বৰদেউতাৰ জন্ম হৈছিল। গমিৰি আৰু কলংপুৰ মৌজা ছয়দুৱাৰৰ ভিতৰত। আজিকালি গমিৰি মৌজাৰ নাম "হেলেম" হৈছে। কিন্তু গমিৰি গাওঁখনৰ নাম পৰিবৰ্ত্তন হোৱা নাই।

গমিৰি মৌজাৰ থালীপুখুৰীয়া (চলিত কথাত থালী-পকৰীয়া) গাৱঁত শ্ৰদ্ধাস্পদ লম্বোদৰ বৰা ডাঙ্গৰীয়াৰ জন্ম হৈছিল। তেওঁৰ ঘৰৰ ওচৰতে বতলা-গড় নামে এটা পুৰণিকলীয়া গড় আৰু পুখুৰী আছে। বোধ কৰোঁ, সেই পুখুৰীটো এখন থালীৰ নিচিনা ঘূৰণীয়া দেখি মানুহে তাক থালী-পুখুৰী বুলিছিল আৰু তাৰ কাষৰ গাওঁখনক থালী-পুখুৰীয়া বুলিছিল। পাছে সেই থালী-পুখুৰীয়া নামটোৱেই মানুহৰ মুখত পৰি থালী-পকৰীয়া হৈছিল। কিংবদন্তিৰ পৰা জনা যায় যে বতলা-গড়ৰ ওচৰৰ গৰীয়াচলা পথাৰত গৰীয়াৰ (গৌড়ীয় মছলমানৰ) লগত ৰণ কৰি আমাৰ স্বৰ্গদেৱৰ এজন আহোম সেনাপতি ৰণত পৰাত উক্ত সেনাপতিৰ ভাৰ্য্যা বাতলু কুৱঁৰীয়ে নিজে ৰণ কৰি গৰীয়াক পৰাস্ত কৰি ৰণক্ষেত্ৰত প্ৰাণত্যাগ কৰে। আগেয়ে এই গড়ৰ ওচৰেদি বুৰৈ নৈ বৈছিল। গাৱঁলীয়া মানুহে বহাগৰ ৰঙ্গালি বিহুত বতলা-গড়ৰ টিঙত ৰং-ধেমালি কৰিছিল আৰু পুখুৰীটোত সেই বীৰাঙ্গনাৰ উদ্দেশ্যে ফুল-নিৰ্ম্মালি পেলাইছিল। গৰীয়া-চলা ৰণভূমিৰ পৰা গৰীয়া যুঁজত হাৰি চলি যোৱাৰ বাবে সেই বৰিটোৰ নাম গৰীয়া-চলা হৈছিল। এতিয়া গৰীয়া-চলা পথাৰ ব্ৰহ্মপুত্ৰৰ গৰ্ভত লয় পালে। কিন্তু বতলা-গড় আৰু পুখুৰীয়ে আজিলৈকে গৰীয়া-চলাৰ ৰণৰ বীৰাঙ্গনা বাতলু-কুৱঁৰীৰ কীৰ্ত্তি ঘোষণা কৰি আছে।

৺বৰা ডাঙ্গৰীয়া এজন বিখ্যাত সাহিত্যিক আৰু স্বদেশ-প্ৰেমিক লোক আছিল। অসমীয়া গদ্য-সাহিত্যত তেওঁ যি সুৰ দি গল সেই সুৰৰ ধ্বনিত আজিও অসমীয়াৰ প্ৰাণৰ তন্ত্ৰী বাজি উঠে। কবলৈ গলে তেওঁ আমাৰ গদ্য সাহিত্যক গঢ়িত কৰি তুলিলে। নতুন সাহিত্যিকৰ নিমিত্তে তেওঁৰ গদ্য-সাহিত্য চানেকি স্বৰূপ। অসমীয়া সঙ্গীতৰ উন্নতিৰ নিমিত্তে তেওঁৰ বৰ ধাউতি আছিল। ১৮৮৯ খৃষ্টাব্দৰ ৯ ফেব্ৰুৱাৰিত কলিকতাৰ পৰা

"জোনাকী" কাকত প্ৰথমে ওলায়। সেই কাকতত ওলোৱা বৰা ডাঙৰীয়াৰ তলত লিখা প্ৰবন্ধবিলাকে তেওঁৰ সঙ্গীতপ্ৰিয়তাৰ চিনাকি দিয়ে—

"গান"—"জোনাকী," ১ম ভাগ, ৩৬-৪১ পিঠি।

"গান"—জোনাকী, ১ম ভাগ, ২১৮-২২৬ পিঠি।

দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ বছৰৰ জোনাকীত তেওঁৰ "অসমীয়া ভাষাৰ আথৰ-যোঁটনি"শীৰ্ষক প্ৰবন্ধাৱলী ওলাইছিল। চতুৰ্থ বছৰৰ জোনাকীত ওলোৱা "উপন্যাস আৰু আত্মহত্যা" প্ৰবন্ধটোৱেই তেওঁৰ জোনাকীলৈ লিখা শেষ প্ৰবন্ধ হব পায়। "আসাম-তৰা" কাকতত তেওঁ মাজে মাজে সমাজৰ উন্নতিবিষয়ক প্ৰবন্ধ লিখিছিল। সেই কাকতত ওলোৱা তেওঁৰ প্ৰবন্ধৰ ভিতৰত "বিষাৰ খবচ," "অলঙ্কাৰ আৰু দৰকাৰ" আদি প্ৰবন্ধ পঢ়িব লগীয়া।

দৰং জিলাত "বেগাৰ ধৰা" নামে এটা বেয়া প্ৰথা আছিল। ৺বৰা ডাঙৰীয়াই এই প্ৰথাৰ বিৰুদ্ধে ঘোৰ প্ৰতিবাদ কৰে, আৰু "আসাম-নিউচ্" বাতৰি কাকতত এই সম্বন্ধে তীব্ৰ লেখনী চলায়। তাৰ ফলস্বৰূপে গৱৰ্ণমেণ্টে সেই প্ৰথা ৰহিত কৰে। তেজপুৰৰ "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ" তেওঁ জন্মদাতা। এই সভাখন তেওঁ ১৮১২ শকৰ ৮ আঘোণ দেওবাৰে (ইং ১৮৯০ চনৰ ২৩ নবেম্বৰত) "অসমীয়া ভাষাৰ আলোচনী সভা" নাম দি স্থাপন কৰে। পাছত সভাখনৰ নাম পৰিবৰ্ত্তন কৰি "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা" নাম দিয়া হয়। এই সভাখনক তেজপুৰীয়াই আজিলৈকে জীয়াই ৰাখিছে। তেওঁৰ কিতাপৰ ভিতৰত "লবাবোধ," "শকুন্তলা" নাটকৰ ভাঙনি, "শিক্ষাসাৰৰ অৰ্থপুথি" আৰু "জ্ঞানোদয়" অসমীয়া ৰাইজে দেখা পাইছে। তেওঁ লিখা "সমাজ দৰ্পণ" নামে নাটকখন আৰু "ভূগোল-বিদ্যা" হাতে লিখা অৱস্থাতে তেওঁৰ মৃত্যুৰ পাছত লোপ পালে। আনন্দৰাম বৰুৱা আৰু ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ জীৱন-চৰিত্ৰ তেওঁ লিখিবলৈ আৰম্ভ কৰিছিল। কিন্তু সম্পূৰ্ণ কৰিবলৈ নৌ পাওঁতেই ১৮৯২ খৃষ্টাব্দত ৩২ বছৰ বয়সত তেওঁ স্বৰ্গী হল। আনন্দৰাম বৰুৱাৰ জীৱন-চৰিত্ৰৰ লিখন পাতনি তেওঁ লিখিছিল তাক পঢ়ি থাকিলেও নামুদাৰ। তেওঁ লিখা শকুন্তলা নাটকৰ পাতনিখন প্ৰত্যেক অসমীয়া সাহিত্যিকে পঢ়ি চোৱা উচিত। সুখৰ বিষয়, অধ্যাপক শ্ৰীযুত সূর্য্যকুমাৰ ভূঞাই "আনন্দৰাম বৰুৱাৰ" আৰু ৺চন্দ্ৰনাথ শৰ্ম্মাই "ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ" জীৱন-চৰিত লিখি ৺বৰা ডাঙৰীয়াৰ অপূর্ণ আকাঙ্ক্ষা পূৰ্ণ কৰিলে। অসম সাহিত্য সভাৰ "চন্দ্ৰকান্ত সন্দিকৈ হলত" তেওঁৰ এখন তৈল-চিত্ৰ, আৰু পাবিলে, তেওঁৰ ওপজা ঠাই গমিনিত তেওঁৰ জন্মস্তম্ভৰ তাৰিখ অঙ্কিত কৰা এখন মাৰ্ব্বল পাথৰৰ সোঁৱৰণী ফলি থোৱা উচিত।

স্বদেশ-প্ৰাণ শ্ৰদ্ধাস্পদ শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্যৰ ঘৰ বিষনাথৰ গড়হোগী গাৰ্হত আছিল। তেওঁৰ "চিন্তানলৰ" কবিতাবিলাক সঁচাকৈয়ে অনলবৰ্ষী— অগ্নি-বীণৰ অগ্নি-শিখা। "জোনাকীত" ওলোৱা তেওঁৰ তলত লিখা প্ৰবন্ধবিলাক পঢ়িব লগীয়া :—

পাহৰণি (পদ্য)—জোনাকী, ১ম ভাগ, ১১৭-১১৯ পিঠি		
বহাগৰ বিহু (পদ্য)	„	২য় ভাগ, ৪৫-৭৮ পিঠি
বাসন্তীৰ বিয়া (পদ্য)	„	৫৭-৫৮ পিঠি
অসমৰ উন্নতি (গদ্য)	„	৬ সংখ্যাত ওলায়
অসমৰ উন্নতি (গদ্য)	„	৪র্থভাগ, ২৮৫-২৮৭ পিঠি

জোনাকীৰ প্ৰতি সম্বোধন (পদ্য) „ „

প্ৰিন্স্ এলবার্ট ভিক্টৰৰ আদৰণি (পদ্য) জোনাকী, ২য় ভাগ

চিন্তা-বিকাশ—জোনাকী, নতুন থণ্ড

"অসমীয়া" আৰু "বাঁহী" কাকতত তেওঁৰ প্ৰবন্ধ মাজে সময়ে ওলাই আছে। আৱাহনতো ওলাইছে। তেওঁ ৰাজনীতি, সমাজ, সাহিত্য আৰু দৰ্শন বিষয়ে প্ৰবন্ধ লিখে। তেওঁৰ প্ৰায়বিলাক প্ৰবন্ধই মৌলিক আৰু সুচিন্তিত। "অষ্টাবক্ৰ" আৰু "কং পন্থা" নামে তেওঁৰ দুখন ডাঙৰ কিতাপ হাতে লিখা অৱস্থাতে আছে। অসম সাহিত্য সম্মিলনীৰ সভাপতি হোৱা অসমীয়া সাহিত্যিকৰ পক্ষে গৌৰৱৰ কথা। গুণগ্ৰাহী অসমীয়া ৰাইজে তেওঁক ১৯২৮ খৃষ্টাব্দৰ যোৱাহাট বহা উক্ত সম্মিলনীৰ সভাপতি পাতি গুণীৰ গুণৰ পূজা কৰিলে। তেওঁ এতিয়া প্ৰায় ৮০ বছৰ বয়সতো তেওঁৰ লেখনী চলাই আছে।

অশেষ ভক্তিভাজন ৺হৰিবিলাস আগৰৱালা বৰ-ছেৱতীয়া সুযোগ্য পুতেক ৺বিষ্ণুপ্ৰসাদ আগৰৱালা আৰু শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম কলংপুৰত ব্ৰহ্মজ্ঞানৰ পাবত আৰু ৺কৃষ্ণপ্ৰসাদ আগৰৱালাৰ জন্ম তেজপুৰত হৈছিল। ৺বিষ্ণুপ্ৰসাদ ককাইদেৱে লিখা "জন্ ষ্টুৱার্ট মিলৰ জীৱন-চৰিত্ৰ" প্ৰথম আৰু দ্বিতীয় ভাগ "জোনাকীত" ওলাইছিল। তেওঁ মহাপুৰুষ শঙ্কৰদেৱৰ জীৱনীও লিখিছিল, কিন্তু সম্পূৰ্ণ কৰিবলৈ নাপালে। সেই জীৱনীও তিনি আথা "জোনাকীত" ওলাইছিল। আশা কৰো তেওঁৰ সুযোগ্য পুতেক দানশীল শ্ৰীমান দীৱেন্দ্ৰ নাথ বাপাই "জন্ ষ্টুৱার্ট মিলৰ জীৱন-চৰিত্ৰ" পুথিখন ছপাই উলিয়াব।

শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ককাইদেৱৰ "প্ৰতিমা" আৰু "বীণ-বৰাঙ্গি" পঢ়ি অসমীয়া ৰাইজে তেওঁৰ সাহিত্য প্ৰতিভাৰ চিনাকি পাইছে। যি "জোনাকী" কাকতে বৰ্ত্তমান অসমীয়া সাহিত্যক গঢ়িত কৰি তুলিলে তেৱেঁই সেই কাকতৰ জন্মদাতা। "প্ৰতিমাৰ" 'তালেমান পদ্য আগেয়ে 'জোনাকীত' ওলাই গৈছিল। "অসমীয়া" কাকতৰো তেৱেঁই জন্মদাতা। তেওঁৰ চেষ্টাতেই ইমান দিন "বাঁহী" কাকত জীয়াই আছে।

৺কৃষ্ণপ্ৰসাদ আগৰৱালা মোতকৈ বয়সত অলপ সৰু হলেও তেজপুৰ হাইস্কুলত মোৰ সমপাঠী আছিল। আমাৰ দুইৰো ভিতৰত বৰ মিল আছিল। কেৱে কাৰো লগ নেৰিছিলোঁ। দুয়ো সৰুতে একেলগে ঈশ্বৰোপাসনা কৰিছিলোঁ; সাহিত্য-চৰ্চ্চা কৰিছিলো; দুয়ো দৈনিক জীৱনৰ ডায়েৰি লিখিছিলোঁ। শ্ৰীযুত ব্ৰহ্মানন্দ বৰকাকতী আৰু শ্ৰীযুত নবীনচন্দ্ৰ বৰবৰুৱে আমাৰ অন্তৰঙ্গ বন্ধু আছিল। আমি এটাই কেইজনে মিলি পঢ়া অৱস্থাতে কিছুমান ধৰ্ম্ম বিষয়ক গান ৰচনা কৰিছিলোঁ। সেই গানবিলাকৰ অধিকাংশই ব্ৰহ্মসঙ্গীতৰ অসমীয়া ভাঙনি। সৰহখিনি গান ৺কৃষ্ণপ্ৰসাদে ৰচনা কৰিছিল। সেই গানবিলাক গোটাই আমাৰ সহপাঠী শ্ৰীযুত শৰৎ চন্দ্ৰ চক্ৰৱৰ্ত্তী নামে এখন বঙ্গালী লাঁৰাক প্ৰকাশক কৰি "ধৰ্ম্মসঙ্গীত" নাম দি ছপোৱা হৈছিল। এই "ধৰ্ম্মসঙ্গীতৰ" সমালোচনা চতুৰ্থ বছৰৰ "জোনাকীত" ওলাইছিল। পুথিখনত ১৪১টা গীত আছিল। ৺কৃষ্ণপ্ৰসাদৰ গীতৰ নমুনা তলৰ গীতটো পঢ়িলে জানিব পাৰিব—

কাফি—ঝাঁপতাল।

"তুমিহে ভৰসা মোৰ অগাই সাগৰে।
কোনো নাই মোৰ, যি বিপদ-ভয় নাশে,
ই আন্ধাৰত তাৰে॥
তুমি এক অভয় পদ জগত সংসাৰে।
কেনেকৈ পাপীজনে তোমাক এৰে?
কৰাঁ হে দুখ অম্ব, সুখবসন্ত দিয়াঁহে।
সদায় যেন দেখোঁ তত জ্যোতি চকুৰে॥
জীৱন-সখা তুমি, নিজাওঁ তোমা বিহনে।
কান্দিছে মোৰ প্ৰাণ মনে কাতৰ মাতেৰে॥"

এই গীতটোৰ স্বৰলিপি ৪র্থ বছৰৰ জোনাকীত শ্ৰীযুত হিতেন্দ্ৰনাথ ঠাকুৰে লিখি উলিয়াইছিল। ৺কৃষ্ণপ্ৰসাদ সককালেৰে পৰা ঈশ্বৰপ্ৰণয়ণ নিৰ্ম্মল চৰিত্ৰৰ লৰা আছিল। তেওঁৰ অন্তৰটো বৰ মমৰিয়াল, পৱিত্ৰ আৰু ওখ আছিল। "ধৰ্ম্ম-সঙ্গীতৰ" সমালোচনাত "জোনাকীৰ" সম্পাদক বেজ-বৰুৱা ডাঙৰীয়াই লিখিছিল—

"এই পুথিখন পাই যে আমি কিমান সন্তোষ পাইছোঁ তাক কৈ অঁতাৰ নোৱাৰোঁ। জনদিয়েক পঢ়াশালিৰ ছাতৰবে এনে সৎ আৰু ওকতৰ কাৰ্য্যত উদ্যম আৰু পুৰুষাৰ্থ দেখি আমি সঁচাকৈয়ে বৰ বং পাইছোঁ। বৰ্ত্তমান কালৰ উপযোগী ধৰ্ম্মসঙ্গীত পুথি অসমত নাছিল; সেই অভাৱৰ এতিয়ানো যে এই সঙ্গীত পুথিয়ে যুপুবাব আমি এনে কথা কেতিয়াও কব নোৱাৰোঁ। * * *"

স্বৰ্গীয় ৰায় ওণাভিৰাম বৰুৱা বাহাদুৰৰ জ্যেষ্ঠপুত্ৰ ৺কনকাভিৰাম বৰকাৰলগত আমাৰ চিনাকি হোৱাত আমি স্কুলত পঢ়া অৱস্থাতেই তেওঁ, কৃষ্ণপ্ৰসাদ আৰু মই তিনিও মিলি বঙ্গলা ভাষাত ওলোৱা "সখা" কাকতৰ দৰে আমাৰ ভাষাতো "লবাবন্ধু" নামে এখন মাহেকীয়া কাকত উলিয়াবলৈ আলচ পাতিছিলোঁ। তাৰ ফলত ৺কনকাভিৰামে নাগাৰ্ব পৰা "লবাবন্ধু" উলিয়ায়। তাত আমাৰ তিনিওবে প্ৰবন্ধ আছিল। এইখনেই অসমত প্ৰথম শিশুপাঠ্য

অসমীয়া কাকত। দুখৰ বিষয় তিনিসংখ্যামান ওলায়েই কাকতখন বন্ধ হয়।

৺কৃষ্ণপ্ৰসাদে গদ্য আৰু পদ্য উভয় বিধৰ প্ৰবন্ধ লিখিছিল। তেওঁ লিখা কিছুমান প্ৰবন্ধ 'জোনাকী' আৰু 'বিজুলী' কাকতত ওলাইছিল। মই জনাৰ ভিতৰত তলত লিখা প্ৰবন্ধবিলাক তেওঁৰ কাপৰ পৰা ওলাইছিল—

ঈশ্বৰোপাসনা
এটি সাধুকথা } জোনাকী, ২য় ভাগ

নিৰাশ (পদ্য) ——— জোনাকী, ৩য় ভাগ

অকলৈ (পদ্য)
জোনাকী (পদ্য) } জোনাকী, ৫ম ভাগ

মেঘদূত
মহাত্মা জন হাৱাৰ্ড
জোন
স্যাৰ আইজাক্ নিউটন্
হিমশিল } "বিজুলীত" ওলাইছিল।

তেজপুৰ হাইস্কুলৰ পৰা ১৮৯৩ চনত প্ৰথম বিভাগত এণ্ট্ৰেন্স্ পৰীক্ষা পাছ কৰি কলিকতাত থাকি এফ-এ পঢ়োতেই তেওঁক দুৰন্ত যক্ষ্মাৰোগে আহি আক্ৰমণ কৰে। অনেক প্ৰকাৰ চিকিৎসাতো ভাল নহল; অৱশেষত মুঙ্গেৰত গঙ্গাৰ পাৰত পিতৃ-মাতৃৰ চৰণ সেৱা কৰি ঈশ্বৰৰ নাম লৈ অনন্ত কাললৈ চকু মুদিলে। এটি সুগন্ধি ফুল ঢোপাকলিতে মৰহি গল। এই জীৱনত মই তেওঁক পাহৰিব নোৱাৰিম। স্বৰ্গীয় লম্বোদৰ বৰাৰ আৰু শ্ৰীযুত চন্দ্ৰকুমাৰ ককাইদেৱৰ উপদেশ পাই আৰু আমাৰ ৺বৰদেউতাৰ পুথি ভঁৰালত থকা নানা পুথি পঢ়ি কৃষ্ণপ্ৰসাদ আৰু মোৰ সাহিত্য চৰ্চ্চালৈ অনুৰাগ জন্মিছিল। আমি যেতিয়া তেজপুৰ হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষা দিবৰ কাৰণে ইং ১৮৯১ চনত গুৱাহাটীলৈ যাবলৈ ওলাওঁ তেতিয়া আমাক বৰা ডাঙ্গৰীয়াই তেওঁৰ ঘৰলৈ মাতি নি এসাজ ভালকৈ খুৱাই অনেক সদুপদেশ দি আহিবৰ সময়ত কৈছিল, "Bear in mind, you are the future prospects of your mother country." তেওঁৰ সেই কথাষাৰ আজিও কাণত বাজিব লাগিছে। ১৮৯১ চনৰ এণ্ট্ৰেন্স পৰীক্ষাত মই উত্তীৰ্ণ হওঁ। ৺কৃষ্ণপ্ৰসাদ সেই বাৰ ফেইল হয়। তাৰ পাছৰ বছৰত তেওঁৰ স্বাস্থ্যভঙ্গ হোৱাত পৰীক্ষা দিব পৰা নাছিল। ইং ১৮৯৩ চনত তেওঁ সেই পৰীক্ষা দি উত্তীৰ্ণ হয়। আশা কৰোঁ শ্ৰীযুত চন্দ্ৰকুমাৰ ককাইদেৱে ৺ কৃষ্ণপ্ৰসাদৰ প্ৰবন্ধবিলাক পুথিৰ আকাৰত ছপাই উলিয়াব।

আমি যেতিয়া তেজপুৰৰ হাইস্কুলত পঢ়িছিলো তেতিয়া ছাত্ৰবিলাকৰ এখন সভা আছিল। সেই ছাত্ৰসভাৰ লগতে এটা পুথি-ভৰালো আছিল। সভাত সঙ্গীত, আবৃত্তি, ৰচনাপাঠ, আলোচনা আৰু তৰ্কও হৈছিল। সভাৰ বছৰেকীয়া সন্মিলনী বৰ উৎসাহেৰে পতা হৈছিল। নগৰৰ সকলো ভদ্ৰলোককে সন্মিলনীলৈ নিমন্ত্ৰণ কৰা হৈছিল। মোৰ "নৱবৰ্ষ" কবিতাটো এখন সন্মিলনীত আৰু "অসম" কবিতাটো আন এখন সন্মিলনীত পাঠ কৰা হৈছিল। "অসম" কবিতাটো পাঠ কৰাৰ দিনা ৺ ৰায় বাহাদুৰৰ মাধৱচন্দ্ৰ বৰদলৈ ডাঙ্গৰীয়া সভাপতি আছিল। তেওঁ সেই কবিতাটো শুনি মোক আগলৈ Poet (কবি) হবা বুলি আশীৰ্ব্বাদ কৰিছিল আৰু কবিতাটোৰ বৰ প্ৰশংসা কৰিছিল। তেতিয়াৰ পৰা মোৰ লগৰ লৰাবিলাকে মোক Poet বুলি মাতি বিদ্ৰূপ কৰিছিল। ওপৰত লিখা দুয়োটা কবিতা পাছে জোনাকী আৰু বিজুলীত ছপা হৈছিল। মোৰ ছাত্ৰ অৱস্থাত লিখা এই দুটা কবিতা আৰু আন আন কিছুমান কবিতা "জিলিকনিত" পাব। জিলিকনিৰ পাতনিত লিখিছিলোঁ—

"ছাত্ৰ অৱস্থাত লিখা এই পুষ্পহাৰ,
অসমৰ ছাতৰক দিলো উপহাৰ।
জাকত জিলিকা হোক অসম অন্তান,
জ্ঞান আৰু ধৰমত হই বলিয়ান।
উন্নতি-পথত সবে হোক আগুৱান,
স্বদেশৰ স্বজাতিৰ সাধক কল্যাণ।

ধন্য হোক জন্মভূমি ধন্য হোক জাতি,
সাফল জনম হোক ৰাখক খিয়াতি।
ঈশ্বৰ মঙ্গলময় কৰিছো কাকুতি,
শিশু সকলক দিয়া সুজ্ঞান সুমতি,
সুস্থদেহ সুস্থমন সৰল অন্তৰ,
তোমালৈ ভকতি যেন থাকে নিৰন্তৰ।"

"আসাম-তৰা" কাকতত "জোনাবাই", "সখিয়তী" "নৱবৃন্দাবন" আদি মোৰ পদ্য প্ৰবন্ধ ওলাইছিল। তেতিয়া মই হাইস্কুলৰ ছাত্ৰ। মোৰ ছাত্ৰ অৱস্থাত লিখা তলত লিখা প্ৰবন্ধবিলাক "জোনাকী" আৰু "বিজুলী" কাকত ওলাইছিল।—

পৰীক্ষা—
স্মৃতি (পদ্য)—
ছবি (পদ্য)—
লতা (পদ্য)— } জোনাকী, ১মভাগ

প্ৰেম—
গোলাপ কুৱঁৰী (পদ্য)— } জোনাকী, ২য় ভাগ

নৱবৰ্ষ (পদ্য)—
ক্ষমা—
ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ—
মহৎ জীৱনৰ এটি ঘটনা—
শিষ্ট ভট্টাচাৰ্য্য আৰু শিশুপাল বধ—
ডই (পদ্য)—
জোৱান ডাৰ্ক
প্ৰাতৰুত্থান } জোনাকী, ৩য় ভাগ

জীৱন-সঙ্গীত (পদ্য)
গোহৰ—
দেৱকন্যা মানবী বেশেৰে (পদ্য)—
শান্তি নিকেতন—
অসমীয়াৰ শিক্ষা— } জোনাকী, ৪ৰ্থ ভাগ।

ব্ৰহ্মযাত্ৰীৰ ডায়েৰি—
সুখৰ ঠাই (পদ্য)—
ৰোমান বুৰঞ্জীৰ দুটি ঘটনা—
সৰু আইটী আৰু সৰু চৰাই (পদ্য)— } জোনাকী, ৫ম ভাগ।

বামুণী কোৱঁৰ—
যোগী (পদ্য)—
পাণেশই (পদ্য)— } জোনাকী, ৬ষ্ঠ ভাগ।

বলম (পদ্য) —
জোনাকীৰ পুনৰ্জ্জন্ম উপলক্ষে (পদ্য)—
শোক-সঙ্গীত (পদ্য)—
ইচ্ছা তযু পূৰ্ণ হোক হেৰাঁ দয়াময় (পদ্য)—
প্ৰণয়ৰ পৰিণাম (পদ্য)
মেঘ (নতুন সাঁথৰ) (পদ্য)— } জোনাকী, নতুন খণ্ড, ১ম, ২য় ভাগ

অসম (পদ্য)
গান (পদ্য)
কদমৰ কথা (পদ্য)
চুমা (পদ্য)
ধ্ৰুৱ —— } বিজুলী, ১ম ভাগ।

সতীৰ পতিভক্তি ——— বিজুলী, ৩য় ভাগ।

ইং ১৮৯৭ চনৰ ডাঙ্গৰ ভূমিকম্পৰ পাছত যেতিয়া অসমৰ চিফকমিশ্যনৰ কটন্ চাহাব বাহাদুৰ বৰপেটাৰ দুৰৱস্থা চাবলৈ যায়, তেতিয়া তেওঁক অভ্যৰ্থনা কৰিবৰ নিমিত্তে যিখন সভা বহে তাত মই এটা পদ্য লিখি পাঠ কৰিছিলোঁ। সেই পদ্যটো আৰু মোৰ আন প্ৰবন্ধ "আসাম" কাকতত ওলাইছিল।

ইং ১৯০০ চনত মোৰ "কোমল পাঠ" পুথিখন লিখা হয়। এই পুথিত গদ্য আৰু পদ্য উভয় বিধৰ প্ৰবন্ধ আছে।

মাজে সময়ে মোৰ প্ৰবন্ধ "উষা", "বাঁহী", "আলোচনী" আৰু "অকণ" কাকতত ওলাইছিল। ডিব্ৰুগড়ত থাকোতে "অসমীয়া" কাকতলৈকো প্ৰবন্ধ পঠাইছিলোঁ। মই শিৱসাগৰত থাকোতে "অসমীয়া আদিপাঠ" পুথিখন লিখিছিলোঁ। ইং ১৯২০ চনত সেই পুথিখন ছপোৱা হয়। "মিলন" কাকতত মোৰ "সেৱা-ধৰ্ম্ম" নামৰ প্ৰবন্ধটো ছপা হৈছিল।

ইং ১৯২৬ চনত ধুবুৰীত যি সাহিত্য সন্মিলনী পতা

হৈছিল সেই সন্মিলনীলৈ অহা দৰ্শক আৰু প্ৰতিনিধি-সকলক "গোঞালপাৰীয়া পুথি বিবৰণ" নামে এখন সৰু পুথি লিখি বিতৰণ কৰিছিলো। ধুবুৱীত সাহিত্য-সম্মিলনী পাতি যি আনন্দ উপভোগ কৰিছিলোঁ মোৰ জীৱনত মই তেনে আনন্দ পোৱা নাই।

মোৰ "পদ্মনি," "জনক-জীয়াৰী" বা "সীতা" আৰু "অসমা" হাতে লিখা অৱস্থাতে আছে।

ৰায় চাহাব শ্ৰীযুত দালিমচন্দ্ৰ বৰাই "জোনাকীত" ছটা নে এটা প্ৰবন্ধ লিখিছিল। তেজপুৰৰ অ, ভা, উ, সা, সভাতো মাজে সময়ে তেওঁ প্ৰবন্ধ পাঠ কৰিছিল। এতিয়া তেৱেঁই তেজপুৰ লোকেল বোৰ্ডৰ প্ৰথম Non-official চেয়াৰমেন হৈছে। আশা কৰোঁ তেওঁ অন্যান্য দেশৰ হিতজনক কাৰ্য্যৰ লগত আমাৰ ভাষা আৰু সাহিত্যৰ উন্নতিৰ ফালেও চকু দিব।

কৰ্ম্মবীৰ ৺চন্দ্ৰনাথ শৰ্ম্মা বি-এল প্ৰণীত "বিদ্যাসাগৰ" আৰু "বহা ফুল" দুখন সুন্দৰ কিতাপ। "অসম ছাত্ৰ সন্মিলনী" স্থাপন কৰি আৰু অন্যান্য দেশহিতকৰ কামত প্ৰাণপণে খাটি এই অক্লান্তকৰ্ম্মী ডেকাজন ডেকাকালতে স্বৰ্গী হল।

শ্ৰীযুত দণ্ডীনাথ কলিতা তেজপুৰৰ এজন বিখ্যাত সাহিত্যিক। তেওঁৰ "বহুধবা" আৰু "বগৰ" পঢ়ি কেত্ৰে হাঁহি সামবিব-নোৱাৰোঁ। তেওঁৰ "ফুল" আৰু "সাধনা" দুখন সুন্দৰ উপন্যাস। তেওঁৰ "প্ৰদীপ" সুলত চলিছে আৰু জয়মতী, চিলাবাৰ আৰু "অগ্নি-পৰীক্ষা" নাটক হাতে লিখা অৱস্থাতে বাণ-থিয়েটাৰত অভিনীত হৈছিল।

শ্ৰীযুত ধনাই বৰাব "কবিতা-চন্দ্ৰিকা" পঢ়াশালিত চলি আছে। শ্ৰদ্ধাস্পদ শ্ৰীযুত ৰজনীকুমাৰ পদ্মপতিয়ে একেবাহে প্ৰস্তুতকৰ অনুসন্ধানত লাগি আছে। তেওঁৰ "পুৰণি অসমত ভূমুকি" এখন মূল্যবান পুথি। বৈদিক যুঃ বা স্বৰ্গৰাজ্যৰ ভিতৰত আমাৰ এই অসম উপত্যকাও যে পৰিছিল সেই কথা তেওঁ অনেক যুক্তি আৰু প্ৰমাণেৰে দেখুৱাইছে। তেওঁৰ লিখাৰ পৰা এইটোও বুজা যায় যে আমাৰ দেশখন আদিতে দেৱাবাস বা আৰ্য্যাকুলৰ থকা ঠাই আছিল। অসম-বুৰঞ্জীলিখোতাসকলে মহীবৰ দানৱক অসমৰ আদিৰাজা বুলিব খোজে। কিন্তু আদিকাণ্ড বামায়ণৰ ৩৫ আধ্যা পঢ়িলে জনা যায় যে ত্ৰেতাযুগত চন্দ্ৰবংশীয় অমূৰ্ত্তৰজঃ নৃপতিয়ে ধৰ্ম্মাৰণ্যৰ সমীপত প্ৰাগ্‌জ্যোতিষপুৰ নগৰ স্থাপন কৰি ৰাজত্ব কৰিছিল। এওঁ কুশনাভ নৃপতিৰ ভায়েক। কুশনাভ সুবিখ্যাত বিশ্বামিত্ৰৰ পিতামহ। সেই বামায়ণতে এই কথাও লিখা আছে যে ভাৰতৰ পূৰ্ব্বাঞ্চল "ইন্দ্ৰৰ কান্তা বনাদি মণ্ডিত পূৰ্ব্বপ্ৰদেশ।" বৈদিক সাহিত্যত লিখা আছে —

"প্ৰাচ্যাং দেৱাঃ প্ৰতীচিং মনুষ্যাঃ।"

* * *

"প্ৰাচ্যাং দিশি ত্বমিন্দ্ৰাসি ৰাজা।"

* * *

পাছে, "উদীচিং কন্দ্ৰাঃ" অৰ্থাৎ উত্তৰফালৰ পৰা ৰুদ্ৰ প্ৰকৃতিৰ লোকবিলাকে আহি এই দেশ অধিকাৰ কৰে। তেতিয়াৰ পৰাহে মহীৰঙ্গ দানৱৰ ৰাজত্ব। তাৰপৰা-বংশীয় ৰজাবিলাকক "কোল-সুদ্ৰ" অৰ্থাৎ কোল বা বৰাহ-ৰূপী বিষ্ণুৰ সন্তান বোলা হৈছিল। বৈদিক যুগত বংশৰ আদিপুৰুষৰ নামৰ পাছত "ঙা" বা "তি" প্ৰত্যেগ কৰি বংশধৰসকলে নিজৰ চিনাকি দিছিল। সেইদৰে "কোল-সুদ্ৰ"সকলেই "কোলতা" বা "কলিতা" আখি বুলি বোধ হয়। কলিতাসকলক বিষ্ণুবংশী বুলিব পাৰি। অসমত বিষ্ণুবংশী কলিতা, শিৱবংশী কোচ আৰু কছাৰী, কুবেৰবংশী চুতীয়া বা ঋতীয়া আৰু ইন্দ্ৰবংশী আহোম বাজাসকলে বাজত্ব কৰিছিল।

অসমীয়া সাহিত্য ক্ষেত্ৰত সুপৰিচিত "অকণ" কাকত জন্মদাতা স্বদেশানুৰাগী শ্ৰীযুত মহাদেৱ শৰ্ম্মাক লৈ আমি গৌৰৱ অনুভৱ কৰোঁ। তেখেতৰ "বৃদ্ধদেৱ", "মহম্মদ চৰিত," কথা-বামায়ণ আৰু "সাবিত্ৰী" পঢ়ি বাহিৰে সন্তোষ পাইছে। অকণ পাক্ষিখিং হাউচৰ পৰা ছেগেছে এখনৰ পাছত এখনকৈ কিতাপ বহুবে বহুবে উলিয়াব লাগিছে।

শ্ৰীযুত বসন্ত কুমাৰ বৰকাৰ ঘৰ নাগশঙ্কৰা। নাগশঙ্কৰৰ একাত্ম কাননত নাগাক্ষ নামে শিৱৰ দেৱালয় আছে। কালিকাপুৰাণ আৰু যোগিনী-তন্ত্ৰমতে সেইখন ঠাই তীৰ্থক্ষেত্ৰ। বৰকাৰ "ৰেগ্‌নাৰৰ সাধু," "পুকাৰ ব্ৰাম্বিউন" আৰু ভাৰত-বুৰঞ্জী আদিয়ে তেওঁৰ সাহিত্য প্ৰতিভাৰ চিনাকি দিছে।

শ্ৰীযুত ওগাভিৰাম শৰ্ম্মাই "বহুত-কাহিনী," "আৰবৰ সাধুকথা" আৰু "ডাক্তৰ ষ্টাৰ প্ৰফুল্লচন্দ্ৰ ৰায়ৰ জীৱনী" লিখি সাহিত্য ক্ষেত্ৰত সুনাম আৰ্জ্জিছে।

দিকৰিকা বা দিকৰাই নৈৰ পাৰত শ্ৰীযুত পদ্মনাথ শৰ্ম্মাৰ ঘৰ। তেখেতৰ "ন-বোৱাৰী" এখন সকলোৱে পঢ়িব লগীয়া সুন্দৰ কিতাপ।

৺শেষৰ দাসৰ "লইনা-পদ্মম" এখন লেখত লবলগীয়া নাটক।

"ৰীণা" (উপন্যাস) লিখি শ্ৰীযুতা স্নেহলতা দেবীয়ে তেজপুৰীয়া মহিলাৰ নাম বাখিছে।

শ্ৰীযুত লক্ষীধৰ শৰ্ম্মা, এম-এ, বি-এল এজন সুলেখক আৰু সুবক্তা। তেওঁৰ প্ৰবন্ধ মাজে সময়ে "ধাৰী" কাকতত ওলায়। তেওঁৰ "নিৰ্ম্মলা" নাটকখন ছপা হৈ ওলালে আমাৰ সাহিত্য-ভঁৰালত এখন মূল্যবান পুথি হব। তেওঁ নাথামতে স্বদেশৰ সেৱা কৰি আছে।

শ্ৰীযুত তুলসীচন্দ্ৰ হাতীবৰুৱাই কেইখনমান পুথি লিখি থুনাম পাইছে।

শ্ৰীযুত অমিয় কুমাৰ দাস, বি-এ, "অসমীয়া" কাকতৰ সম্পাদক আছিল। তেওঁ আৰু শ্ৰীযুত হেমচন্দ্ৰ বৰুৱা, বি-এল, উভয়েই বহুত ত্যাগ-স্বীকাৰ কৰিও একেবাহে দেশৰ সেৱাত লাগি আছে। তেওঁলোকৰ বক্তৃতা আৰু বচনা বৰ শুৱলা আৰু যুক্তিপূর্ণ।

শ্ৰীযুত ললিত মোহন চৌধুৰীৰ "শঙ্কলাদিপ" নাটক বাণ-থিয়েটাৰৰ বহুমঞ্চত অভিনীত হৈছিল। নাটকখন সুন্দৰ হৈছে। আশা কৰো তেওঁ শীঘ্ৰে ছপাই উলিয়াব।

৺বায় বাহাদুৰ মহীধৰ ভূঞাৰ "সবল ভক্তি", শ্ৰীযুত শিৱদাস বৈবাগীৰ "সনাতন সংহিতা", শ্ৰীযুত লম্বোদৰ কলিতাৰ "স্বদেশ মঙ্গ" আৰু কবিবাজ শ্ৰীযুত বগীবাম শইকীয়াৰ স্বাস্থ্য-বক্ষা বিষয়ক এখন পুথি ছপা হৈ ওলাইছে।

শ্ৰীযুত বাধাকান্ত বৰকাকতীয়ে ছাত্ৰ-অৱস্থাত সুন্দৰ সুন্দৰ বচনা লিখি তেজপুৰৰ ছাত্ৰ-সভাত পঢ়িছিল। তেওঁ শিক্ষা-বিভাগত স্কুল-চবইপদপেষ্টৰ কাম কৰাতে "সজকথা" নামে এখন পঢ়াশলীয়া পুথি লিখি প্ৰকাশ কৰিছিল।

শ্ৰীযুত বেণুধৰ দাসৰ 'সাবিত্ৰী-সত্যবান' নাটক বাণ-থিয়েটাৰৰ হেইজন অভিনীত হৈছিল। তেওঁৰ আৰু কেইখাষনো কিতাপ হাতে লিখা অৱস্থাত আছে।

শ্ৰীমান মহিমচন্দ্ৰ সিংহ এজন সুলেখক আৰু সুবক্তা। তেওঁৰ বক্তৃতাত বাগ্মিতা আৰু বচনাত ভাষাৰ লালিত্য, ভাবৰ মাধুৰ্য্য বিবিড়ি উঠে। তেওঁৰ গদ্য আৰু পদ্য প্ৰবন্ধ মাজে সময়ে 'ধাৰী', 'ঘৰ-জেউতি' আৰু 'অসমীয়াত' পঢ়িবলৈ পোৱা যায়।

শ্ৰীমান জ্যোতিপ্ৰসাদ আগবৰালা বাপাই অসমীয়া গীতত নিভাঁজ অসমীয়া সুৰ দি লুপ্তপ্ৰায় পুৰণিকলীয়া বাগ-বাগিণী উদ্ধাৰ কৰি আমাৰ সঙ্গীতত যুগান্তৰ আনিছে। তেওঁ ভালেমান জাতীয় গান বচনা কৰিছে। সেই গানবিলাক পুথিৰ আকাবত ওলালে আমাৰ সাহিত্য-ভঁৰালত এখন মূল্যবান পুথি হব। তেওঁ নাথামতে স্বদেশৰ সেৱা কৰি আছে।

শ্ৰীযুত তুলসীচন্দ্ৰ হাতীবৰুৱাই কেইখনমান পুথি লিখি থুনাম পাইছে।

শ্ৰীযুত অমিয় কুমাৰ দাস, বি-এ, "অসমীয়া" কাকতৰ সম্পাদক আছিল। তেওঁ আৰু শ্ৰীযুত হেমচন্দ্ৰ বৰুৱা, বি-এল, উভয়েই বহুত ত্যাগ-স্বীকাৰ কৰিও একেবাহে দেশৰ সেৱাত লাগি আছে। তেওঁলোকৰ বক্তৃতা আৰু বচনা বৰ শুৱলা আৰু যুক্তিপূর্ণ।

শ্ৰীযুত ললিত মোহন চৌধুৰীৰ "শঙ্কলাদিপ" নাটক বাণ-থিয়েটাৰৰ বহুমঞ্চত অভিনীত হৈছিল। নাটকখন সুন্দৰ হৈছে। আশা কৰো তেওঁ শীঘ্ৰে ছপাই উলিয়াব।

৺বায় বাহাদুৰ মহীধৰ ভূঞাৰ "সবল ভক্তি", শ্ৰীযুত শিৱদাস বৈবাগীৰ "সনাতন সংহিতা", শ্ৰীযুত লম্বোদৰ কলিতাৰ "স্বদেশ মঙ্গ" আৰু কবিবাজ শ্ৰীযুত বগীবাম শইকীয়াৰ স্বাস্থ্য-বক্ষা বিষয়ক এখন পুথি ছপা হৈ ওলাইছে।

শ্ৰীযুত বাধাকান্ত বৰকাকতীয়ে ছাত্ৰ-অৱস্থাত সুন্দৰ সুন্দৰ বচনা লিখি তেজপুৰৰ ছাত্ৰ-সভাত পঢ়িছিল। তেওঁ শিক্ষা-বিভাগত স্কুল-চবইপদপেষ্টৰ কাম কৰাতে "সজকথা" নামে এখন পঢ়াশলীয়া পুথি লিখি প্ৰকাশ কৰিছিল।

শ্ৰীযুত বেণুধৰ দাসৰ 'সাবিত্ৰী-সত্যবান' নাটক বাণ-থিয়েটাৰৰ হেইজন অভিনীত হৈছিল। তেওঁৰ আৰু কেইখাষনো কিতাপ হাতে লিখা অৱস্থাত আছে।

শ্ৰীমান মহিমচন্দ্ৰ সিংহ এজন সুলেখক আৰু সুবক্তা। তেওঁৰ বক্তৃতাত বাগ্মিতা আৰু বচনাত ভাষাৰ লালিত্য, ভাবৰ মাধুৰ্য্য বিবিড়ি উঠে। তেওঁৰ গদ্য আৰু পদ্য প্ৰবন্ধ মাজে সময়ে 'ধাৰী', 'ঘৰ-জেউতি' আৰু 'অসমীয়াত' পঢ়িবলৈ পোৱা যায়।

শ্ৰীমান জ্যোতিপ্ৰসাদ আগবৰালা বাপাই অসমীয়া গীতত নিভাঁজ অসমীয়া সুৰ দি লুপ্তপ্ৰায় পুৰণিকলীয়া বাগ-বাগিণী উদ্ধাৰ কৰি আমাৰ সঙ্গীতত যুগান্তৰ আনিছে। তেওঁ ভালেমান জাতীয় গান বচনা কৰিছে। সেই গানবিলাক পুথিৰ আকাবত ওলালে আমাৰ সাহিত্য-ভঁৰালত এখন মূল্যবান পুথি হব। তেওঁ নাথামতে স্বদেশৰ সেৱা কৰি আছে।

শ্ৰীযুত তুলসীচন্দ্ৰ হাতীবৰুৱাই কেইখনমান পুথি লিখি থুনাম পাইছে।

শ্ৰীযুত অমিয় কুমাৰ দাস, বি-এ, "অসমীয়া" কাকতৰ সম্পাদক আছিল। তেওঁ আৰু শ্ৰীযুত হেমচন্দ্ৰ বৰুৱা, বি-এল, উভয়েই বহুত ত্যাগ-স্বীকাৰ কৰিও একেবাহে দেশৰ সেৱাত লাগি আছে। তেওঁলোকৰ বক্তৃতা আৰু বচনা বৰ শুৱলা আৰু যুক্তিপূর্ণ।

শ্ৰীযুত ললিত মোহন চৌধুৰীৰ "শঙ্কলাদিপ" নাটক বাণ-থিয়েটাৰৰ বহুমঞ্চত অভিনীত হৈছিল। নাটকখন সুন্দৰ হৈছে। আশা কৰো তেওঁ শীঘ্ৰে ছপাই উলিয়াব।

৺বায় বাহাদুৰ মহীধৰ ভূঞাৰ "সবল ভক্তি", শ্ৰীযুত শিৱদাস বৈবাগীৰ "সনাতন সংহিতা", শ্ৰীযুত লম্বোদৰ কলিতাৰ "স্বদেশ মঙ্গ" আৰু কবিবাজ শ্ৰীযুত বগীবাম শইকীয়াৰ স্বাস্থ্য-বক্ষা বিষয়ক এখন পুথি ছপা হৈ ওলাইছে।

শ্ৰীযুত বাধাকান্ত বৰকাকতীয়ে ছাত্ৰ-অৱস্থাত সুন্দৰ সুন্দৰ বচনা লিখি তেজপুৰৰ ছাত্ৰ-সভাত পঢ়িছিল। তেওঁ শিক্ষা-বিভাগত স্কুল-চবইপদপেষ্টৰ কাম কৰাতে "সজকথা" নামে এখন পঢ়াশলীয়া পুথি লিখি প্ৰকাশ কৰিছিল।

শ্ৰীযুত বেণুধৰ দাসৰ 'সাবিত্ৰী-সত্যবান' নাটক বাণ-থিয়েটাৰৰ হেইজন অভিনীত হৈছিল। তেওঁৰ আৰু কেইখাষনো কিতাপ হাতে লিখা অৱস্থাত আছে।

শ্ৰীমান মহিমচন্দ্ৰ সিংহ এজন সুলেখক আৰু সুবক্তা। তেওঁৰ বক্তৃতাত বাগ্মিতা আৰু বচনাত ভাষাৰ লালিত্য, ভাবৰ মাধুৰ্য্য বিবিড়ি উঠে। তেওঁৰ গদ্য আৰু পদ্য প্ৰবন্ধ মাজে সময়ে 'ধাৰী', 'ঘৰ-জেউতি' আৰু 'অসমীয়াত' পঢ়িবলৈ পোৱা যায়।

শ্ৰীমান জ্যোতিপ্ৰসাদ আগবৰালা বাপাই অসমীয়া গীতত নিভাঁজ অসমীয়া সুৰ দি লুপ্তপ্ৰায় পুৰণিকলীয়া বাগ-বাগিণী উদ্ধাৰ কৰি আমাৰ সঙ্গীতত যুগান্তৰ আনিছে। তেওঁ ভালেমান জাতীয় গান বচনা কৰিছে। সেই গানবিলাক পুথিৰ আকাবত ওলালে আমাৰ সাহিত্য-ভঁৰালত এখন মূল্যবান পুথি হব। তেওঁ নাথামতে স্বদেশৰ সেৱা কৰি আছে।

কাকতৰ সম্পাদক নিযুক্ত কৰা হয়। ইং ১৯০০ চনত "অসম-বন্তি" সাদিনীয়া বাতৰি-কাকতৰূপে তেজপুৰৰ পৰা ওলায়। কিছু বছৰৰ পাছত সেই কাকত আৰু প্ৰেছ ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱাৰ হাতলৈ আহে। "বন্তি" এতিয়ালৈকে ধিমিকি-ধামাককৈ জ্বলি আছে।

তেজপুৰৰ অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ যত্নত তেজপুৰত যিটো প্ৰকাণ্ড টিনৰ নামঘৰ নিৰ্ম্মিত হয় তাতে বাণ-থিয়েটাৰৰ ষ্টেইজ পতা হৈছে। বাণ-থিয়েটাৰ কমিটিৰ উদ্যোগত অসমীয়া ভাষাত তলত লিখা নাটকবিলাক ৰচিত হৈছে :—

নাটকৰ নাম	গ্ৰন্থকৰ্ত্তাৰ নাম
শ্ৰীবৎস-চিন্তা	শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ
লইনা-পদুম	৺শেখৰ দাস
জয়মতী	ৰায়চাহাব শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা
গদাধৰ	
সাধনী	
লাচিত বৰফুকন	
গাওঁবুঢ়া	
টেটোন তামুলী	
ভূত নে ভ্ৰম	
শোণিত-কুৱঁৰী	শ্ৰীমান জ্যোতিপ্ৰসাদ আগৰৱালা
মানৰ দিন	শ্ৰীযুত প্ৰসন্নলাল আৰু মোহনলাল চৌধুৰী
নীলাম্বৰ	
সাবিত্ৰী-সত্যবান	শ্ৰীযুত বেণুধৰ দাস
চন্দ্ৰকান্ত সিংহ	শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা
অগ্নি-পৰীক্ষা	শ্ৰীযুত দণ্ডীনাথ কলিতা
শঙ্কলাদিপ	শ্ৰীযুত ললিতমোহন চৌধুৰী

তেজপুৰীয়া ৰাইজে বৰঙ্গনি দি তেজপুৰত যিটো টাউন হল নিৰ্ম্মাণ কৰিলে তাতে "ভিক্টৰীয়া জুবিলি লাইব্ৰেৰী" নামে সৰ্ব্বসাধাৰণৰ কাৰণে পাঠাগাৰ স্থাপন কৰা হৈছে। দুখৰ বিষয় এই পাঠাগাৰত অসমীয়া পুথিৰ সংখ্যা বৰ তাকৰ। অসমীয়া বিখ্যাত সাহিত্যিকসকলৰ কিতাপ তাত নাই বুলিলেই হয়। আশা কৰোঁ তেজপুৰীয়া ৰাইজৰ সুদৃষ্টি ইয়াত পৰিব।

স্বৰ্গীয় লম্বোদৰ বৰা, বি-এল ডাঙ্গৰীয়াই যি সময়ত তেজপুৰত ওকালতি কৰে, সেই সময়ত তেওঁৰ বাহিৰে আন কোনো অসমীয়া উকীল তেজপুৰত নাছিল। তেওঁ অকলৈয়ে আমাৰ ভাষা, সাহিত্য, সমাজ, ৰাজনীতি আদিত যিমান কাম কৰি থৈ গল, ভাবিলে আচৰিত হব লাগে। অথচ তেওঁ তিনি বছৰমানহে ওকালতি কৰিবলৈ পালে। এতিয়া তেজপুৰত ৰায় চাহাব শ্ৰীযুত দালিমচন্দ্ৰ বৰাৰ বাহিৰেও ১২জন উচ্চশিক্ষা পোৱা ডেকা উকীল আছে। উকীলসকল আমাৰ ৰাইজৰ স্বাভাৱিক নেতা। দুখুনী অসম-জননীয়ে তেওঁলোকৰ পৰা বহুত আশা কৰিছে। তেওঁলোকে ইচ্ছা কৰিলে স্বদেশ আৰু স্বজাতিৰ অনেক প্ৰকাৰে হিতসাধন কৰিব পাৰে।

সামৰণিত ক'ব খোজোঁ যে অসম মাতৃৰ সুযোগ্য সন্তান, অসমীয়াৰ আদৰৰ ধন, সুবিখ্যাত সাহিত্যিক ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱাই যদিও উত্তৰ-লক্ষ্মীপুৰৰ নকাঁৰী গাৱঁত জন্ম গ্ৰহণ কৰিছিল, তথাপি আমি তেওঁক তেজপুৰীয়া বুলিহে ধৰিব খোজোঁ। কিয়নো, তেখেতে তেজপুৰত বিয়া কৰাই মাটিবাৰী লৈ ঘৰ-দুৱাৰ কৰি নিগাজীভাৱে বসতি কৰি আছে। "উষা" নামে মাহেকীয়া কাকতখন তেওঁ এই উষাৰ নগৰৰ পৰাই উলিয়াইছিল। "অসম বন্তি"খনো তেওঁ ইয়াৰে পৰা উলিয়াই আছে। তেওঁৰ ৩৫খন কিতাপৰ ভিতৰত বোধ কৰোঁ ৩০খন তেওঁ তেজপুৰত থাকিহে লিখিছিল। অসমীয়াৰ ভিতৰত তেৱেঁই প্ৰথমে সাহিত্যিক পেন্সন পাইছে। তেওঁৰ সাহিত্যিক জীৱনৰ ইতিহাস বেলেগে লিখিবৰ ইচ্ছা থাকিল। অসম সাহিত্যসম্মিলনীৰ পোন-প্ৰথম অধিবেশনৰ তেৱেঁই সভাপতি আছিল।

সাঁথৰ

গল্প— —শ্ৰীবীণা বৰুৱা

কলিকতাখন আচৰিত ধৰণৰ নগৰ। জাৰ, জহ, বাৰিষা আদি ছয়ঋতুৰ ইয়াত কাল নিৰ্ণয় কৰা টান কথা। ইয়াৰ মানুহবিলাক যেনে whimsical—বতৰো তেনে বদ্‌মেজাজী। কথাতে কয় বোলে 'ঢাকোন নোহোৱা চৰু, বান্ধোন নোহোৱা গৰু'। কলিকতাৰ বতৰো তেনে ধৰণৰ। নিয়মকানুন বুলিবলৈ একো নাই। পুৱা টোপনিৰপৰা সাৰ পাই দেখিবা ৰ'দৰ ভমকত বাজলৈ ওলাবই নোৱাৰি; খিৰিকীৰে যেন জুইৰ ফিৰিঙতিহে সোমাইছে। আকৌ আবেলি "ফুলবাবুটি" হৈ ইডেন গাৰ্ডেন, মেমোৰিয়েল, নিউমাৰ্কেট্ নাইবা গঙ্গাৰ শীতল বতাহ লবলৈ ওলাবা, বাটতে পাব বৰষুণে। আহাৰ-শাওণমাহত বৰষুণ হয় দেখিবলৈ ভাল, কিন্তু এই কাতি-আঘোণ মাহত কোন ম্লেছৰ দেশত গাগৰীৰে পানী ঢলাদি নেক্-নেক্ কৰি থকা শুনিছা? যতমানে অনাসৃষ্টিৰ মূল কলিকতাতহে পাবা।

গৰমৰ কথানো কি কম! তল-ওপৰ গোটেইখন জানিবা আঙঠাহে। ত্ৰেতাযুগৰ কোনোবা ৰজাৰ হোমৰ জুই যেন নুমুৱাই নাই। গোটেই নগৰখনতে ঠাঁহ মৰা পকী দালান। ইটোক হেঁচুকি সিটোৱে মূৰ দাঙি উঠিছে, জানিবা হিড়িম্বা ৰাক্ষসীৰ নাতিহে। কলিকতাৰ আলিবাট বিলাকো পকা। আমাৰ তাত হলে পকীবাট বুলিলে ইটাগুটিৰে নিৰ্ম্মিত একা-বেঁকা সাপৰ নেগুৰৰ নিচিনা পদাৰ্থকহে বুজায়—যি পদাৰ্থৰ ওপৰত "জোতাৰূপী চৰ্ম্ম" পৰিধান নকৰাকৈ চলাচল কৰিলে ভৰিৰ নখ ছিগে, আঙ্গুলি ছিগে, ধোঁৱা ফুটে, ঘা লাগে—সহজ কথাৰে কবলৈ গলে, ভৰিতলুৱা বিন্ধি থকা-সৰকা কৰে কলিকতাৰ বাটবিলাক হ'লে "চূ -কাম-কৰা," ফু মাৰি ভাত খাব পাৰি—যদিও আজিলৈকে সেইফেৰা কৰা নাই। এই বাটবিলাকৰ বিলই চাবা কি? ৰাতি-দিন অহৰহ গুৰি-পৰুৱাৰ নিচিনা লানি নিছিগা নৰ-নাৰীয়ে এওঁলোকক গচকি-কেচকি তহিলং কৰিছে। সময় অসময় নাই—মতা-মাইকী বাছ বিচাৰ নাই, সকলোৱে হুৰামুৰিকৈ ইটোৰ গাত সিটোৱে খুন্দা-খুন্দলি খাই তৰানৰা ছিঙ্গি ঘূৰি ফুৰিছে। প্ৰতিজনেই জানিবা ঘৰৰ মূল মানুহ জনৰ টান বেমাৰৰ দৰৱ-পাতি বিচাৰিহে ফুৰিছে। ইমানবিলাক মানুহৰ হেঁচা-টেপাত গেলেপা লাগি গৰম নুঠিব কিয়? এই অসভ্য গৰমৰ আক্ৰমণ এৰাবৰ নিমিত্তে মানুহবিলাক ক'লৈ যাব কব পাৰা জানো? নগৰৰ মধ্যস্থিত পাৰ্কলৈ—যাক তুমি আমি দীঘলী পুখুৰীতকৈও তলৰ শাৰীতহে ঠাই দিম। সেই এচমকা ঠাইতে দেৱী বিসৰ্জ্জন দিয়া চাবলৈ যোৱা মানুহতকৈও অধিক প্ৰাণী। কোনোৱে তাৰে দাঁতিত বহি বক্তৃতা দিছে, কোনোৱে আকৌ চৰ্চ্চা কৰিছে—দেশৰ, দহৰ, সাহিত্যৰ, সমাজৰ, যৌবনৰ নাইবা প্ৰেমৰ; কোনোৱে কোনোৱে আৰু পাৰ্কৰ চাৰিওফালে মৰণাৰ গৰু ঘূৰাদি হেঁচা-টেপা খাই টাকুৰী-ঘূৰাদি ঘূৰি ফুৰিছে। দেখিলে পুতৌ কৰিবৰহে মন যায়।

সেইদিনা নবেম্বৰ মাহৰ কোনোবা এটি ৰবিবাৰ। বতৰ পুৱা ফৰকাল—অলপ অলপ জাৰ পৰিছে। আমি আমহাৰ্ষ্ট ষ্ট্ৰীটৰ সেই পুৰণি মেছত। কলিকতাৰ ঘাই বাট কেইটিৰ ভিতৰত এইটিতেই গণ্ডগোল আৰু চলাচল অলপ কম বুলিব লাগে, যদিও ওচৰতে "মেছুৱা বাজাৰ।" মেছৰ চাৰিওকাষে ভাৰাতীয়া ভদ্ৰলোকৰ বসতি। লৰা-ছোৱালী আটাইকেইঘৰতে আছে। পুৱা-গধূলি চাদৰ ওপৰত উঠি লৰা-ছোৱালীহঁতৰ চিলা উৰুৱা দৈনিক কৰ্ত্তব্য। চাদৰ ৰ দকাচলিত বহি জীয়ৰী-

বোৱাৰীসকলে চুলি চিকুণায়। আঁতৰৰ পৰা লুকাই চুৰকৈ তেওঁলোকৰ ৰূপৰ আভাস লোৱাটোও আমাৰ অভ্যাস। বন্ধ হলেই কলিকতাত সকলোৰে এটি "এন্‌গেজ্‌মেণ্ট্‌" থাকে। আমাৰ সেইদিনা মেডেন থিয়েটাৰত চিনেমা চোৱাৰ বন্দবস্ত আছিল। আমাৰ অৰ্থাৎ ফুকন, চৌধুৰী আৰু মোৰ। কিন্তু বিধতাৰ কি বিড়ম্বনা! কানিকাপোৰ পিন্ধি নৌ ওলাওঁতেই আহিল বৰ টোপাল। বাটত তেনেই একাঠুৱা পানী। আমাৰ 'প্ৰজেক্ট্‌" নষ্ট হোৱাত তিনিওজনে বহি গল্প পাতিছোহঁক। ডেকা লৰা, যৌৱন আৰু প্ৰেমৰ আলাপ। হঠাতে দুৱাৰখনি ঠেলি তিতি-বুৰি জুকলি-জুপুৰি হৈ ডাক্তৰ বৰুৱা সোমাই আহিল। মই ব্যগ্ৰভাৱে সুধিলোঁ—"তিতি-বুৰি নো ক'ৰ বেমাৰী চাবলৈ গৈছিল?" "এ, মোৰ কথা নকবা আৰু, আগেয়ে ছোলা-চুৰিয়া এসজ দিয়া আৰু পাৰিলে চাহ এটুপিও খুউৱা। তোমালোক আছা বুলিহে সোমালো। বোলো গঙ্গাৰো যাত্ৰা, মাহী আইৰো বাত্ৰা হৈ থ'ক।" চৌধুৰীয়ে লৰালৰিকৈ ছোলা চুৰিয়া এসজ উলিয়াই দিলে। মই "ষ্টোভ" জলাই চাহ কৰাত লাগিলো।

...চাহ খোৱাৰ পিছত নানা কথা-বতৰা হ'ল। তাৰ মাজতে বৰুৱাক চৌধুৰীয়ে সুধিলে—"আপুনি বাৰু বিয়া নকৰালে কিয়?" আমি দুজনেও বৰুৱাৰ মুখলৈ উত্তৰৰ প্ৰত্যাশাত চাই থাকিলো। অলপ পৰ গম্ভীৰভাৱে থমকি বৰুৱাই কলে—"সেইবোৰ বহুত কথা—নিতান্তই যদি শুনিব খুজিছা—তেন্তে কওঁ। পোনতে মোৰ কথা বিশ্বাস নকৰিবও পাৰা। বিশ্বাস কৰা-নকৰা সি তোমালোকৰ ওপৰত নিৰ্ভৰ কৰে, কিন্তু বাস্তৱতে যিদিনা মোৰ জীৱনাৱলীৰ এক সংস্কৰণ দেখিবা—সেই দিনা তো নিজৰ ভুল বুজিব পাৰিবা। তোমালোক ডেকা লৰা। এনে দিন মোৰো আছিল। তেতিয়া ভালেমান সমস্যাৰ আঁহ উলিয়াব নোৱাৰি সংসাৰৰ এডিঙীয়া পানীত ককবকাই ফুৰিছিলো। লোকৰ কথাত পতিয়ন নোযোৱা আৰু নিজক 'মই বৰ' ভবা কালডোখৰ মোৰ মূৰৰ ওপৰেদিও বাগৰি গৈছে। পহিলা অৱস্থাত একো গমকে ধৰিব নোৱাৰিলো, বিবেচনা কৰিবলৈ সময় নাপাইছিলো, বিশেষতঃ প্ৰয়োজন বুলিও নাভাবিছিলো।

মোৰ কথাৰ পাতনি শুনি তোমালোকৰ চাগৈ খং উঠিছে; আচল কথাটো শুনিবলৈ উচপিচাই আছা। সঁচাকৈয়ে এনে উপদেশবিলাকে ডেকা কাণত ঠহৰ-ঠহৰকৈ বিন্ধে। উপদেশৰ বোজাটো আমাৰ ওপৰত সদায় গধুৰ হয়। যাকে দেখিবা, যাকে লগ পাবা—সেয়ে উপদেশ দিব—কিমান শুনিবা? শুনোতে শুনোতে কাণ ঘোগোলা হৈ কাণৰ কণামাকৰিও উতলি বক্‌বকাবলৈ ধৰে, বিতৃষ্ণা জন্মে। সেই সময়ত ইচ্ছা কৰি উপদেশৰ বিপক্ষে কাম কৰিবলৈ আগবাঢ়িবৰ মন যায়। কিছুমান ধৰা-বন্ধা নীতি-নিয়মৰ মাজত সোমাই থকা জীৱনৰ ঘাই উদ্দেশ্য নহয়। ভটৰা গৰুৰ চকু যিপিনে যায়, সেই পিনেই খোজ লয়। ডেকা মনো ঠিক তেনে। সংসাৰখনেই তো ঋষি-মুনি নহয়।

য'ক সেইবোৰ কথা! তোমালোকে শুনিছাই দেউতা কেনেকৈ পাহাৰৰ ওপৰত ঘোৰাৰ পিঠিৰ পৰা পৰি ঢুকাল। মই তেতিয়া আদিপাঠ পঢ়িছোঁহে। ঘৰত দেউতাই আছিল আমাৰ সকলো। ককাদেউতাক চকুৰে দেখাই নাই; বুঢ়ীআয়ে বোধকৰোঁ পুতেকৰ শোক-শেলপাত বুকুত লবলৈকে বাট চাই আছিল। সেই দিনা আইৰ যিহে কান্দোন; মই একোকেই বুজিব নোৱাৰিছিলোঁ। আবেলি পঢ়াশালিৰ পৰা আহিছোঁ। বিয়াঘৰৰ দৰে আমাৰ ভিতৰখন তিৰোতা মানুহেৰে উছলি-মুছলি হৈ আছে। অলপ পিছতে বাজত মুনিহ মানুহো থুপ খালেহি। কাৰো মুখত নাই হাঁহি, নাই মাত। মুখবিলাক যেন কোনোবাই বেজীসূতাৰেহে সি থৈছে। অলপ পিছতে বুঢ়ীআই আৰু আয়ে ডিঙিত ধৰাধৰিকৈ হিয়ালি-জিয়ালিকৈ কান্দিবলৈ ধৰিলে। ময়ো থিৰেৰে থাকিব নোৱাৰিলোঁ, কান্দিবলৈ ধৰিলোঁ। কোনোবাই মোক কোলাত তুলি ললেহি। কান্দি কান্দি লালকাল হৈ সেই পিনেই শুই থাকিলোঁ।

পিছদিনা পুৱা শুই উঠি দেখো যে ঘৰখন কাঁহ পৰি জিন গৈছে। কাৰো মুখত ক'তো মাতবোল নাই।

ৰাতিৰ ভিতৰতে কোনোবাই যেন ঘৰখন সলনি কৰি দিলে। আয়ে বৈ বৈ উচুপি কান্দিব লাগিছে।

আইৰ চেহেৰাটো দেখি মোৰ ভয় লাগিছিল। চুলি-তুলি মেলি ঠিক বলিয়ানীৰ নিচিনা হৈছে। কাষতে শুদা মাটিত পৰি বুঢ়ীআয়ে ওচৰতে বহি থকা কেইগৰাকীমান তিৰোতা মানুহেৰে সৈতে লাহে লাহে কিবাকিবি কৈছে। মই বিছনাৰ পৰা উঠি অহা দেখি আয়ে আকৌ "সোণ! দেউতাৰ কলৈ গ'ল?" বুলি হুৰাওৰাৱে কান্দিবলৈ ধৰিলে। দূৰসম্পৰ্কীয় মাহী এগৰাকীয়ে মোক আঁতৰাই লৈ গ'ল। লাহে লাহে বুজিব পাৰিলোঁ—পিতৃহীন বুলি।

মাটিবাৰী আদি স্থাবৰ অস্থাবৰ সম্পত্তিৰ বাহিৰেও আমাৰ যথেষ্ট সঞ্চিত অৰ্থ আছিল, গতিকে জীৱন নিৰ্ব্বাহত কোনো কষ্ট নঘটিছিল; কিন্তু দেউতা ঢুকুৱা দিনাৰে পৰা আনন্দ বোলা বস্তুটিয়ে আমাৰ ঘৰ এৰিলে। ঘৰত মুঠেই চাৰি পাঁচোটি প্ৰাণী; কোনেও সৰহ কথা নকয়, ৰং-ধেমালি কাক বোলে কোনেও গমকে নাপায়, আইৰ দুখত সহানুভূতি দেখুৱাই বোধকৰোঁ কাৰণ। আইৰ সেই মলিন মুখলৈ মনত পৰি জীৱনৰ এই ভাটীবেলিকাও মোৰ চকুপানী ওলায়। দীপ্তিহীন এডোখৰ যেন পাথৰ, যি সূৰ্য্যৰ পোহৰত আই প্ৰভান্বিত হৈছিল সেই পোহৰৰ ধ্বংসত শেতা মলিন মুখ নহৈ আৰু কি হ'ব? আয়ে মোক কিমান মৰম কৰিছিল! কত অভিমান আব্দাৰ আইৰ ওচৰত কৰিছিলোঁ—এনে আইৰ মৃত্যুৰ কাৰণ হলোঁ..."—দুয়োচকুৰেদি বৰুৱাৰ পানী বৈ গ'ল। বুজিব নোৱাৰিলোঁ হিয়াৰ কোনখিনিত কথাখিনিয়ে আঘাত দিলেগৈ। দীঘল হুমুনিয়াহ এটি পেলাই আকৌ আৰম্ভ কৰিলে "সেইবিলাক কথা কৈ মিছাতে তোমালোকক কিয় দুখ দিওঁ। অকলে তো মোৰ আই মৰা নাই, সকলোৰেই মৰিছে; তথাপি মনৰ সহস্ৰ দুখ-বেদনাৰ কথা বিলাক আনৰ আগত কবলৈ পালে মনটো অলপ পাতল পাওঁ। বিপদৰ সহানুভূতিয়েই জয়কালৰ মালা, বুজিছানে? এই বঙালদেশত ঘূৰি ঘূৰি প্ৰাণটো লেৰেলি শুকাল। কেতিয়াবা নিজৰ দেশৰ ভাই-ভনীহঁতক লগ পালে শুকান প্ৰাণতো আনন্দৰ উহ ফুটে। নিজৰ দেশৰ মানুহৰ লগত তেজমঙ্গহৰ সম্পৰ্ক। আৰু এটা কথা—নিজৰ ভাষাৰে মনৰ ভাব যেনেকৈ প্ৰকাশ কৰিব পাৰি বিদেশী ভাষাৰে তেনেকৈ নোৱাৰি দেওহে। অইন ভাষাৰে কবলৈ গ'লে কিবা থাকি গ'ল যেন লাগে। চূণ দেখিলে জোকে যেনেকৈ কুঁচুতি-মুচুতি খায়, বাজীকৰৰ আগত সাপ যেনেকৈ লেতু-সেতু হৈ পৰে, সেইদৰে অইন ভাষাৰ আগত পৰিলে মনৰ ভাবো কুঁচি-মুচি থুপুৰি হয়। আজি দেৰকুৰি বছৰ বঙ্গদেশত আছোঁ; সেইবুলি জানো অসমীয়া মাত-কথা পাহৰিছোঁ? আজন্মৰে পৰা যি ভাষাৰ মাজেদি ডাঙৰ দীঘল হৈছোঁ, সেই চেনেহী মাতৃভাষাই মৃত্যুৰ লগতো সহচৰী হ'ব।

এৰা, ক'ৰপৰা কোনখিনিত ওলালোহি—মোৰ এইটোৱেই ডাঙৰ ব্যাধি, আচল কথা ক'বাত এৰি কোনোবাখিনি পাওঁগৈ। সকলো বয়সৰ দোষ, জীৱনৰ নানা আশা-নিৰাশাৰ কথা ভাবি-চিন্তি মই হতাশ হৈছো; বলিয়া যে হোৱা নাই, সেয়ে পৰম ভাগ্য। বয়সৰ লগে লগে জীৱনৰ পূৰ্ব্ব সোঁৱৰণবিলাক বেছিকৈ মনলৈ আহিছে। ঘাত-প্ৰতিঘাতত শৰীৰ জলাকলা হ'ল।

ডাক্তৰ বৰুৱাৰ কথা শুনি চৌধুৰীৰ আমনি লাগিছিল—আমাৰো যে লগা নাছিল তেনে নহয়; কিন্তু মানুহজনৰ কথাৰ মাজত হকা-বধা কৰিবলৈ অন্ততঃ ভদ্ৰতাই পাছ হোঁহোকাই থৈছিল। তেওঁৰ প্ৰতি কথাষাৰতেই যেন হৃদয়-তলিত লুকাই থকা বেদনা সজাগ হৈ উঠিছে। মানুহৰ হিয়াখনি দেখোঁতে নিচেই অকণমান; কিন্তু তাৰ মাজতে জীৱনৰ ঘটনাৱলী পৰিপাটিভাৱে কেনেকৈ সজোৱা থাকে? বিশেষ উল্লেখযোগ্য নোহোৱা ঘটনাসমূহে মুহূৰ্ত্তৰ নিমিত্তে হৃদয়ত থিতি লৈ লোপ পায়; কিন্তু কিছুমান এনে শেল বজাদি বাজে, যে তাৰ ব্যথা জীৱনত পাহৰা অসম্ভৱ—সেই ঘা নুশুকায়। বৰুৱাৰো আজি সেই অৱস্থা। চৌধুৰীয়ে আৰু টলকা মাৰি থাকিব নোৱাৰিলে—"আপোনাৰ জীৱনৰ কথা পাহৰিলে নেকি?"

চকা-মকা খাই বৰুৱাই কবলৈ আৰম্ভ কৰিলে, "মোৰ জীৱনৰ ঘটনাৱলীৰ কথা মই পাহৰিব পাৰো জানো?

শৰীৰৰ প্ৰতি টোপা তেজৰ লগত তাৰ সম্বন্ধ। বাৰু, তাৰ পিছত.....। পঢ়াশুনাত মোৰ একো কষ্ট হোৱা নাছিল; এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰি জলপানী পালোঁ; কলিকতালৈ এফ-এ পঢ়িবলৈ আহিলোঁ। তেতিয়া কলিকতাত পঢ়িবলৈ অহা হুলস্থূল ব্যাপাৰ। আজিকালিৰ নিচিনা ৰেল-জাহাজৰ সুবন্দোৱস্ত নাছিল—গোৱালণ্ডত উঠিব লাগে, সি যে কি কষ্ট! প্ৰথমতে কলিকতাত পঢ়িবলৈ অহা কথা শুনি ওচৰচুবুৰীয়াই কেনেবা পাইছিল, তেওঁলোকে আইক বুজাইছিল যে কলিকতা প্ৰলোভনৰ ঠাই। এনে ঠাইত পঢ়িবলৈ পঠিওৱাতকৈ কামাখ্যা গোসানীৰ আগত বলি দিয়াই শ্ৰেয়ঃ। কলিকতাত হেনো বঙালী ছোৱালীহঁতে লৰাহঁতক নাকী লগাই চলাই লৈ ফুৰায়। শইকীয়াৰ ঘৰৰ বলোৰামৰ কথা কোনে নেজানে? কলিকতাত পঢ়িবলৈ গৈ মদ খাই দেহা ঘুণীয়া কৰিলে; শেহান্তৰত বাপেকে নিজে গৈ লৈ আহিব লগাত পৰিল। তদুপৰি কলিকতাৰ মানুহ ঠগ, প্ৰৱঞ্চক। চাৰি পইছাৰ নিমিত্তে মানুহে প্ৰাণ বধ কৰে...ইত্যাদি। তাতে আকৌ বাটৰ ভয়। ইমানবোৰ নদী জঙ্গল পাৰ হৈ জাত নিয়াবলৈ লৰাক বঙালদেশলৈ কোনোবাই পঠিয়ায় নে? আয়ে সকলো শুনি মনে মনে আছিল। 'কাৰ জহত কোনে পিয়ে পানী, কাৰ ভনীয়েক মৰে কাৰ হয় হানি' তৰপৰ লোকৰ উপদেশ আয়ে ইকাণে সুমুৱাই সিকাণে উলিয়াই দিছিল। ঈশ্বৰ আৰু স্বামীত বিশ্বাস স্থাপন কৰি নিজে যি ভাল বুলি ভাবিছিল তেনেকৈয়ে কাম কৰি গৈছিল। এদিন আয়ে মোক কলে—"সোণ, সকলোৱে তোক কলিকতালৈ যোৱাত বাধা দিছে অৱশ্যে, মই কিন্তু কাৰো কথা নুশুনো। তোক কলিকতালৈ পঠিৱা মোৰ কৰ্ত্তব্য। দেউতায়েৰ জীয়াই থকা হলে এই ভাৰ মোৰ ওপৰত নপৰিলহেঁতেন তই নৌ ওপজোতেই তোক কলিকতাত পঢ়িবলৈ পঠিৱা দেউতাৰৰ ইচ্ছা আছিল। আজি যদি দেউতাৰে তই জলপানী পোৱা... .."—আৰু কব নোৱাৰি বিহা-আঁচলেৰে চল্‌চলীয়া চকুযুৰি মছিবলৈ ধৰিলে। মোৰ পক্ষেও থিৰেৰে থকা অসম্ভৱ হৈ পৰিল। হুক্‌হুক্‌কৈ কান্দিবলৈ ধৰিলোঁ—দেউতাৰ লগত ধেমালি কৰা—সেই দূৰ অতীতৰ মাৰ যাব খোজা স্মৃতি দুনাই সজাগ হৈ উঠিল।

নিজৰ শত-সহস্ৰ দুখলৈ আওকাণ কৰি মাকে সন্তানৰ দুখ-কষ্ট মোচন কৰিবলৈহে বেছি মন দিয়ে। মাকৰ মৰমৰ অন্ত ক'ত? শৰৎকালৰ শেৱালিফুলে দূবৰিবনৰ ওপৰত পৰি দূবৰি বনৰ অস্তিত্ব লুকাই থয় আৰু দিনত সূৰুযৰ তাপত লালকাল দিয়া দূবৰি পাতক নিজৰ শীতল অঙ্গৰে আবৰি থাকে। সেইদৰে মাকে নিজৰ সন্তানৰ দুখ বেজাৰৰ বোজাটি নিজৰ পিঠিত বান্ধি— মৌসনা মাত আৰু স্বৰ্গীয় স্নেহেৰে সন্তানৰ প্ৰাণত শান্তিবাৰি ছটিয়ায়। মাতৃৰ বুকু ইন্দ্ৰৰ অমৰাৱতী,তেওঁৰ সাদৰী মাত স্বৰ্গৰ অমৃত; এনেহেন মাতৃয়ে চকুৰ আগতে পুত্ৰৰ কান্দোন দেখি নিজৰ বেজাৰতে ম্ৰিয়মান হৈ থাকিবনে? হৃদয়ৰ দুখ হৃদয়তে সামৰি, চকুৰ পানী চকুতে মাৰ নিয়াই—গাত হাত ফুৰাই আয়ে আক' ক'বলৈ ধৰিলে—"নাকান্দিবি মোৰ সোণ! কান্দিলে জানো হেৰোৱা ৰতন ঘূৰাই পাবি? আমি কান্দিলে তেওঁৰ মৃত-আত্মাই কষ্ট পাব। সজ আত্মা তেওঁৰ— সংসাৰৰ মোহৰ পৰা আতৰি বিমল স্বৰ্গীয় সুখ লভিছে। তেওঁৰ দৰে সজ হবলৈ চেষ্টা কৰিলেই তেওঁৰ আত্মাই তোক আশীৰ্ব্বাদ কৰিব। ঈশ্বৰ আৰু দেউতাৰলৈ সদায় মনত ৰাখিবি—সুখ-শান্তি তাতেহে পাবি"।

যথাসময়ত কলিকতা পালোহি। আজিকালিৰ নিচিনা শই-শই অসমীয়া লৰা ইয়াত নাছিল। তেতিয়াৰ কলিকতাপ্ৰবাসী অসমীয়া ল'ৰা আঙুলিৰ মূৰত লেখিব পৰা। তাহানিৰ কলিকতাও আজিতকৈ ভালেমান বিভিন্ন। "মেট্ৰোপলিটন ইন্সটিটিউটত" নাম লগালো। আমাৰ মেছ আছিল "সুকীয়া ষ্ট্ৰীটত"। পহিলাতে কলিকতালৈ আহি অলপো ভাল লগা নাছিল; চাৰিওফালে অচিনাকি। মাতকথা বুজি পালেও ভালকৈ কব নোৱাৰোঁ। ঘৰলৈ সদায় মনত পৰি থাকে, আৰু মনত পৰি থাকে আইৰ সেই শেঁতা মুখখনিলৈ। মই নাখালে যি আইৰ পেটলৈ ভাত নগৈছিল—সেই আই এতিয়া চাগৈ কেনেকৈ আছে? ডাঙৰ সসস্যা হল—মই তো নিজে একো কৰিব নাজানো; আনকি ভাত কিমান খাম,

স্কুললৈ কেতিয়া যাম, ৰাতি কেতিয়া শুম,—এই সকলোবিলাক আয়ে দেখুৱাই নিদিয়েমানে ৰক্ষা নাছিল। প্ৰথমে প্ৰথমে নিজৰ ভৰিৰ ওপৰত থিয় হবলৈ আহুকাল লাগিছিল যদিও, সৰহদিন সেই ভাব নিটিকিল। কলিকতাৰ ৰং-তামচাৰ মাজত কলেজত ভৰি দি লাহে লাহে বেছ ভাল লাগি পৰিল। এইবোৰ তোমালোকে নিজেই তো উপভোগ কৰিছাহক। মেট্ৰোপলিটনৰ পৰা এফ, এ পাছ কৰি বেলগেছিয়া কাৰমাইকেল মেডিকেল কলেজত নাম লগালোঁ। অসমগবৰ্ণমেণ্টৰ জলপানীটো লগত আছেই। চাওঁতে চাওঁতে ৫ম বাৰ্ষিক শ্ৰেণীত থিয় দিলো— হঠাৎ দেখিলোঁ মই আগতকৈ বয়সিয়াল আৰু বিজ্ঞ। মেডিকেল কলেজৰ লৰাহঁতৰ গৰমৰ বন্ধ নাই বুলিলেও হয়—বন্ধত ওৱাৰ্ডত কাম কৰিব লাগে। তথাপি কাম ভাগ কৰি লৈ সকলোৱে এপাক্ এপাক্ ঘৰৰ পৰা আহেগৈ। যিমানেই কষ্ট হওক—ডাক্তৰী ব্যৱসায়ত সুখ আছে আৰু ই এটা noble profession, কি বোলা? বেমাৰৰ পৰা মুক্ত কৰি যমৰ দুৱাৰৰ পৰা টানি অনা কম কথা নে? তথাপি বেমাৰৰ হাততকৈ ডাক্তৰৰ হাতত সৰহভাগে প্ৰাণ এৰিব লগা হয়।

সেইবাৰ গৰমৰ বন্ধত কোনোমতে ঘৰখন ওলালোহি। আইৰ শৰীৰ দিনকদিনে পৰি আহিছে। গাৰ কাপোৰ-কানি এবাৰ ফাটিলে পিছত যিমানেই নিসিয়া সি আৰু সৰহদিন টিকা অসম্ভৱ। আইৰ গাত সদায় এটা নহয় এটা ব্যাধি লাগি আছেই; তথাপিও বিশ্ৰামৰ আহৰি নাই। একাদশী আউসী ব্ৰত তো পালিবই লাগিব। অহৰহ টাকুৰী ঘূৰাদি ঘূৰিয়েই ফুৰে। অসুখ বুলিও এদিনো পাটীত পৰি থকা নেদেখিলোঁ। তেওঁৰ ইচ্ছা যেন সংসাৰৰ সকলো কাম নিজেই কৰিব। কেতিয়াবা কিবা কলে উত্তৰ দিয়ে—"কাম কৰাত শান্তি আছে। কিবা এটাত লাগি থাকিব পাৰিলে মনৰ ভাবচিন্তাবিলাক তেও আতৰি থাকে।" তাৰ উপৰিও কিবা কবলৈ গলে কয়— "আৰু নো কেইদিন কৰিম? তোলৈ এজনী আনি ললেই ভৰিৰ ওপৰত ভৰি তুলি খাম নহয়।"

মোৰ বিয়াৰ নিমিত্তে আই ব্যস্ত হৈ পৰিছিল। সেই বছৰৰে আঘোণ মাহত মোৰ বিয়াৰ যোগাৰ। কিজানি বিয়া হৈও গলহেতেন আৰু সেয়ে হোৱা হলে এই কলিকতাত মোক নেদেখিলা হেতেন। কিন্তু.....।" আমি আটাইকেইজনে উৎসুক চকুৰে বৰুৱাৰ মুখলৈ চালোহঁক। গলহেকাৰি এটা মাৰি ডিঙিটো পোনাই তেওঁ কলে—"বুজিছা, মানুহ ভ্ৰমশীল। ইহঁতে কেতিয়া কি কৰে তাৰ ঠিক নাই। ভ্ৰমত পৰি সিহঁত মৰীচিকাৰ পাছে পাছে খেদি আত্মঘাতী হয়। সামান্য এটি ভ্ৰমতেই সোণৰ লঙ্কা ধ্বংস হৈ গল। ৰাৱণ মৰিল আৰু সীতা আই জানকীয়ে যন্ত্ৰণা ভুগিলে। শূৰ্পণখাই কি ভুলকেই যে কৰিছিল!"

দুপৰীয়া ভাত খাই উঠি আইৰে সৈতে খন্তেক জুৰাইছো—কলিকতাৰ কথা, কলেজৰ কথা, ভবিষ্যতৰ কথা পাতি পূৰ্ব্বৰ সোৱৰণীলৈ পিঠি দিছো। দুখ বিপদৰ মাজত মানুহে ভবিষ্যতৰ সুখ-সম্পদৰ কথা ভাবিব নোৱাৰা হলে এই নৰজীৱন মৰুভূমিতকৈও তপত হল হেতেন। ভবিষ্যতৰ মোহিনী কল্পনাই অতীত আৰু বৰ্ত্তমানৰ দুখবেজাৰৰ ভাৰ লাঘৱ কৰে। আমাৰ কথাৰ মাজতে ওলালহি তিৰোতা এগৰাকী। আয়ে ওচৰত থকা দুখৰি পীৰা এখন আগবঢ়াই দিলে। মানুহ গৰাকীয়ে কলে "আই মোৰ এতিয়া বহিবৰ সময় নাই। হাকিমৰ ছোৱালী ফুলৰ সন্নিপাত চৰিছে। আয়ে আপোনালোকৰ বোপাক এখন্তেক মাতি পঠিয়াইছে।" আয়ে সুধিলে "কেতিয়াৰ পৰা জ্বৰ? ছোৱালীটীয়ে চাগৈ বৰ কষ্ট খাইছে!" "আজি তিনদিন একেটা জ্বৰেই এৰা নাই, পানী এটোপাও মুখত দিয়া নাই আই! তেন্তে মই আহোহে।" উত্তৰলৈ বাট নাচাই মানুহজনী ওলাই গল।

হাকিমজন আচলতে চৱ-ডিপুটি কলেক্টৰ, আমাৰ দেউতাৰ বন্ধু। আমাৰ তালৈ বদলি হৈ যোৱা তেতিয়া সৰহদিন হোৱা নাই। সেইবাৰ গৰমৰ বন্ধত গৈহে তেখেতৰ লগত মোৰ চিনা-পৰিচয় হৈছে—যদিও হাকিমনীৰে সৈতে আই আহোঁতেই নলেগলে লগা হৈ পৰিছিল। যাবলৈ মই ওজৰ-আপত্তি কৰিলোঁ; কিয়নো তেতিয়াও মই ডাক্তৰৰ শাৰীত উঠা নাই। আয়ে কিন্তু

একো ওজৰ-আপত্তি নুশুনিলে। দেউতাৰ বন্ধু— তাতে আকৌ অকণমানী ছোৱালীজনীৰ জ্বৰ। মোৰ যোৱা নিতান্তই প্ৰয়োজন। মই গৈ পোৱাৰ লগে লগে সদৰ ডিস্পেন্‌চৰিৰ ডাক্তৰজনো ওলালহি। তেখেতেৰে সৈতে আগৰে পৰা চিনা-পৰিচয় আছিল। সম-ব্যৱসায়ীৰে সৈতে আদান-প্ৰদান, চিনা-পৰিচয় জগতৰ নীতি। ডাক্তৰে ঔষধ-পাতি লিখি দি গল; কিন্তু ছোৱালীজনীৰ শুশ্ৰূষাৰ ভাৰ পৰিল মোৰ গাত। কিয়নো, হাকিম হৈছে "সদাশিৱ ভোলানাথ," ঘৰৰ কথাত বিশেষ মন নিদিয়েই; গতিকে হাকিমনীৰ অনুৰোধ মই এৰাব পাৰো নে? তাতে আকৌ পৰোপকাৰ আইৰ আদেশ।...

...ছোৱালীটী আৰোগ্য হৈ উঠিল। আমাৰ কথা এটা আছে যে গা ধৰাৰ আগত, ওখ হোৱাৰ আগত নাইবা দাঁত গজাৰ আগত মানুহৰ টান বেমাৰ এটা হয়। সেই দেখিয়েই হবলা ছোৱালীটীৰো গঢ় দিনক্‌দিনে চৰি আহিবলৈ ধৰিলে। ফুলৰ ওচৰলৈ মই সদায় অহা-যোৱা কৰিবলৈ ধৰিলোঁ। ফুলে সৈতে কথা পতা, কলিকতাৰ কথা শুনোৱাই মোৰ দৈনন্দিন কাম হ'ল। কেতিয়াও মদ নোখোৱা মানুহক এদিন বলেৰে মদ খুৱাব পাৰিলে, মদৰ প্ৰতি তেওঁৰ আসক্তি সদায় মদ খোৱাজনতকৈ বেছিহে হয়। মোৰো সেয়ে হল। সৰুৰে পৰা ছোৱালী নালাগে তিৰোতা মানুহে সৈতেও কথা পাতিবলৈ সুবিধা পোৱা নাছিলোঁ। এনে অৱস্থাত তেৰ-চৈধ্যবছৰীয়া ছোৱালী এটীৰ লগত অবাধে মিলিবলৈ পালে মনৰ গতি বাৰু কেনে হ'ব?

ফুলে মোক ককাইদেউ বুলি মাতে। ফুলহঁতৰ ঘৰত মোৰ অবাধ-দ্বাৰ; স্বভাৱ-চৰিত্ৰ ভাল বুলি মোৰ গৌৰৱ আছিল, তাতে পুৰণি বন্ধুৰ ল'ৰা-ছোৱালী; এনেস্থলত নো অবিশ্বাস কৰিব কোনে? মোৰ দৃঢ়-বিশ্বাস আছিল যে মই নীৰস, তেনেই শুকান—কিতাপ পঢ়া আৰু পৰীক্ষা পাছ কৰাই মোৰ জীৱনৰ ব্ৰত বুলি ভাবিছিলো, এনেভাৱেই জীৱন পাত কৰিম। হঠাতে দেখিলো যে ময়ো ভাল পাব জানো—জীৱনৰ অসম্ভৱ সম্ভৱ হ'ল। অতদিন মৰুত ছায়া হৈ আছিলো—এতিয়া কায়াত পৰিণত হলো; ভালেমান পৰ বদকাচলিত বহি শোৱনিঘৰ সোমালে চকুৱে জলক্-তবক কৰে আৰু গোটেইখন আন্ধাৰ মুন্ধাৰ যেন দেখা যায়। জীৱনৰ এই নতুন পথত ভৰি দি মই দিগ্বিদিক্ জ্ঞান হেৰুৱালো। ৰূপ আৰু সৌন্দৰ্য্য কাক বোলে এতিয়াহে বুজিব পাৰিলো। চাৰিওফালৰ পৰা ফুলক সৌন্দৰ্য্যই আবৰি থকা দেখিবলৈ পালো। ফুলৰ সুৰদি মাতে মোৰ মনত মৌ বৰষে, ফুলৰ কলা চেলাউৰিৰ মাজত তিৰবিৰাই থকা চকু দুটি যেন হীৰাতকৈও উজ্জ্বল; হাঁহিভৰা ৰঙা ওঁঠ দুটি যেন দুপাহি ফুলহে। ফুলতকৈ সুন্দৰী ছোৱালীৰ ৰূপ মই কল্পনা কৰিব নোৱাৰিলো। মোৰ কথা-বতৰা, চলন-ফুৰণ আগতকৈ লৰিবলৈ ধৰিলে। আগেয়ে ভাবিছিলো—কোনোমতে জীৱন-নিৰ্ব্বাহ কৰি থাকিব পাৰিলেই যথেষ্ট। এতিয়া বুজিব পাৰিলো যে সংসাৰৰ সকলোবিলাক সুখ-ভোগ কৰিবলৈ চেষ্টা নকৰিলে জন্ম লোৱাই বৃথা। সকলোৰে চকুত ধূলি মাৰিলেও হলে এজনৰ চকুত ধূলি মাৰিব নোৱাৰিলো, আজন্মৰে পৰা যিজনাই মোৰ তাৰসমূহ গঢ়ি তুলিছে—আজি যৌৱনৰ দুৱাৰদলিত সেই ভাবৰ পৰিবৰ্ত্তন তেওঁ নিৰীক্ষণ নকৰাকৈ কেনেকৈ থাকিব? সন্তানৰ হৃদয়ৰ কথা মাতৃয়ে বুজিব পাৰিলে। সৰুতে বিয়া কৰোৱা আমাৰ সমাজৰ প্ৰথা। মোৰ সমনীয়াসকলৰ বিয়া কেতিয়াবাই হৈ গ'ল। তেনে অৱস্থাত বিয়াৰ নিমিত্তে ব্যাকুল হোৱা আইৰ মনত একো আচৰিত যেন নালাগিল। সেই বছৰৰে আঘোণ মাহত বিয়া পাতিবলৈ যো-জা কৰিলে। মই নানাৰকম আসোঁৱাহ তুলিলো। কাম-কাজ এটা নকৰাকৈ বিয়া নকৰাওঁ। আগেয়ে ডাক্তৰী পাছ কৰি লওঁ। আইৰ উত্তৰ"—আমাৰ খাবলৈ নোহোৱা নহয়, বিশেষতঃ মই আৰু সৰহদিন নাবাচোঁ; মৰাৰ আগতে তোৰ ঘৰখন পাতি দি যাওঁ।"

বয়সিয়াল আৰু জ্ঞানীলোকসকলে মুহূৰ্ত্তৰ ভিতৰতে কোনো বস্তুৰ দোষ গুণৰ বিষয়ে মত প্ৰকাশ নকৰে। সকলো তথ্য তন্ন-তন্নকৈ বিচাৰ নকৰেমানে তেওঁলোকৰ স্বস্তি নাই। কিন্তু ডেকা আৰু অশিক্ষিতসকলৰ কোনো এটা বিষয় ভালেমান সময় সূক্ষ্মভাৱে বিচাৰ কৰিবলৈ

সময় আৰু ধৈৰ্য্য নাথাকে। দেখা মাত্ৰকে ভাল বেয়া এটা অনুমান কৰি লয়। এনে ধৰণৰ মানুহৰ নিজৰ ওপৰতেই অটল বিশ্বাস। তেওঁলোকে নিজে যি কৰে, তাৰে সিয়েই ভাল। আৰু অইনৰ আনকি নিজৰ পিতৃ মাতৃৰ কথাতো বিশ্বাস স্থাপন কৰিবলৈ টান পায়।

শুকান গছপাতৰ দ'মত একো সাৰ নাই। ভৰিৰেই তাক গুৰিয়াই উৰুৱাই পঠিয়াব পাৰি। কিন্তু এই পাতত যদি কেনেবাকৈ এবাৰ জুই লাগিল তেন্তে সৰ্ব্বনাশ। মোৰো একে দশাই হ'ল। প্ৰেম বা ভালপোৱা কি তাৰ ভূ-ভা একো নাপাইছিলো। এতিয়া তাৰ বা' পায়ে হৃদয় জ্বলি উঠিল। খাওঁতে-শোওঁতে ফুলক নাপালে যেন মোৰ জীৱনটি মৰহি যাব। গৰমৰ বন্ধ অন্ত হ'ল। হিয়াৰ গোপন কথা গুপুতে ৰাখি কলিকতালৈ উভতি আহিলো। আহিবৰ সময়ত আয়ে কলে— "আঘোণৰ ২৭ তাৰিখে বিয়া,—দহদিনমানৰ ছুটী লৈ আহিলেই হ'ব।..."

কলিকতাত বন্ধুবান্ধৱক লগ পাই দুখ অলপ পাতলিল, তথাপি মনস্থ কৰিলো—ফুলৰ বাহিৰে দ্বিতীয়জনাক হৃদয় আসনত নবহুৱাওঁ। সেই ভুল নকৰা হলে ফুলক বিয়া কৰোৱা মোৰ পক্ষে একো টান কথা নাছিল *। মাতৃৰ বাক্য অৱমাননা কৰাৰ ফল মই হাতে হাতেই পালো। সেই যদি ভুল নহ'ল..." কথাষাৰ কৈ ডাক্তৰ বৰুৱাই অলপ পৰ কিবা ভাবিবলৈ ধৰিলে। এনেতে মই মাত লগালো—"আপুনি নো কি ভাবিছে?" "নাই, নাই আৰু কি ভাবিবা? ভাবিবৰ সময় অতীত হৈ গ'ল। সকলোবোৰ পুৰণি স্মৃতি আহি একেলগে জুমুৰি দি ধৰিছে। মোৰ দুখৰ কথানো কিমান শুনিবা? কৈ কৈ অন্ত কৰিব নোৱাৰি।

যথাসময়ত আইৰ চিঠি পালো। বিয়াৰ সকলো ঠিক, মই মাথোন যাব লাগে। ক'ত বিয়া, কাৰ ছোৱালী একো শুং-সূত্ৰই নাই। মহা সমস্যাত পৰিলো। এফালে মাতৃৰ আদেশ আৰু অইন ফালে উদ্‌ভ্ৰান্ত প্ৰেম। চিৰদিন অভাৱ-অনাটনৰ মাজেদি ডাঙৰ-দীঘল হোৱা মানুহে হঠাৎ চিঠি-খেলত হাজাৰদিয়েক টকা পালে অস্থিৰ হৈ পৰে। সেই টকাৰে কি কৰিব—কি নকৰিব তাৰ চিন্তাতেই ব্যাকুল হয়। ওচৰ-চুবুৰীয়া, বৰজন নাইবা বয়সস্থজনে সজ পৰামৰ্শ দিবলৈ আহিলে পেটে পেটে বেয়াহে পায়। এই সময়ত লোকৰ সদুপদেশ হিংসা-দ্বেষৰ কুপৰামৰ্শ বুলিহে বোধ হয়। সাধাৰণ মতৰ বিৰুদ্ধে থিয় দিব পৰাটোকেই এই সময়ত জীৱনৰ চৰম উৎকৰ্ষ বুলি বিবেচনা কৰে।

চিঠি পাই কি কৰিম, নকৰিম একো উৱাদিহ উলিয়াব নোৱাৰিলোঁ। ভবিষ্যতৰ জীৱন পথৰ সাৰথিৰ কাৰণেই তো বিয়া। সাৰথি ঠিক নহলে জীৱন ৰথৰ গতিত বেমেজালি ঘটিব। ৰং-ৰহইচৰ নিমিত্তে তো বিয়া নহয়। ইয়াত সমাজৰ বান্ধোন বা ধৰ্ম্মৰ শিকলিৰ প্ৰয়োজন নাই। দুটি বাহ্যিক দেহৰ জোৰায়েই বিয়া নহয়। দুখনি অন্তৰৰ সোঁত যেতিয়া সম্মিলিত হ'ব সেয়ে বিয়া। নিচিনা-নজনা ছোৱালী এজনীক জীৱনৰ লগৰীয়া কৰিম কেনেকৈ? জন্ম দিলে বুলিয়েই মাক-বাপেকে সন্তানৰ ভবিষ্যত জীৱন নষ্ট কৰিব? সি কেতিয়াও হ'ব নোৱাৰে—বহুত ভাবি-চিন্তি আইলৈ লিখিলো— "ডাক্তৰী পাছ নকৰাকৈ বিয়া কৰাব নোৱাৰো, অধম সন্তানক ক্ষমা কৰিব, বিশেষতঃ বিয়া মইহে কৰাম, গতিকে কন্যা-নিৰ্ব্বাচনৰ ভাৰটো মোৰ গাত দিলেও বেয়া নহব হবলা।"

মোৰ চিঠিখনিয়ে আইৰ বুকুত কিদৰে বিন্ধিছিল কব নোৱাৰো, কাৰণ আইৰ পিছৰ চিঠিবোৰত খং-ৰাগ বা অভিমানৰ একো ছাঁ নাছিল। তেওঁ মাত্ৰ ইয়াকেহে জনাইছিল যে দৰাই নিজে ছোৱালী স্থিৰ কৰা একো বেয়া কথা নহয়। কিন্তু মাক-বাপেকে সন্তানৰ কেতিয়াও অহিত নিচিন্তে। তেওঁ জীয়াই থকা কালতে মোৰ বিয়াখন পাতি দিয়া হলে তেওঁ অপৰিসীম সন্তোষ পালেহেঁতেন। তাৰ পিছৰে পৰা আয়ে বিয়াৰ বিষয়ে একো উল্লেখ কৰাই নাছিল। তেতিয়া যদি বুজিলো হেঁতেন যে মাক-বাপেকে

* এই কথাটো একো নুবুজিলো। ডাঃ বৰুৱাক সুধি বিৰক্ত কৰিবলৈ ইচ্ছা নহল। বোধকৰো তেওঁ নজনাকৈ মাকে এইজনী ছোৱালীক ঠিক কৰিছিল হবলা। সঠিককৈ কব নোৱাৰিলো।

সদায় সন্তানৰ ভালৰ নিমিত্তেহে চেষ্টা কৰে তেতিয়া হলে আজি তোমালোকে মোক এই বেশত নেদেখিলা হেতেন। কিন্তু আপদ কালত বুধি হেৰোৱা বিধিৰ লিখন।

কলেজৰ পৰা আহি সোমাইছো। পিয়ন এটাই মোক বিচাৰি আহিছে, নামটো কৈ চিনাকি দিয়াত টেলিগ্ৰাম এখন দিলে। টেলিগ্ৰাম দেখিয়েই বুকু চিৰিং কৰে উঠিল। নাজানো কি বাতৰি আহিছে। সুখদুখৰ বাৰ্ত্তাবহ পিয়ন! কতক তইঁতে আনন্দ দিছ আৰু কতৰ মূৰৰ ওপৰত বেজাৰৰ গধুৰ বোজাটি পেলাই দিছ তাৰ কি লেখ-জোখ আছে? সেই কাৰণে কবিয়ে কৈছে—

"পিতৃৰ সন্দেশ বাৰ্ত্তা, মাতৃৰ ভাবনা চিন্তা
বন্ধুৰ সাদৰ-সম্ভাষণ।
হতাশৰ আশা-বল, আতুৰৰ চকুজল,
শোকাৰ্ত্তৰ মধুৰ সান্ত্বন।"

ডাক্তৰৰ মুখত কবিতা শুনি আমি আচৰিত হৈছিলো যদিও একো নামাতিলো, কিয়নো ঘটনাটো এনে ঠাইত উপস্থিত হৈছেহি যে কিবা হকা-বধা কৰিবলৈ গলেই তাৰ সকলো সৌন্দৰ্য্য নষ্ট হৈ যাব। বৰুৱাই একমনে কৈ যাবলৈ ধৰিলে—"পঢ়ি চালো, আইৰ টান নৰিয়া। স্বৰগ পৰা মানুহৰ দৰে থিয় দি বলো। ভাবিবৰ শক্তি লোপ পালে। সামান্য এডুখৰি কাকতৰ ওপৰৰ চাইটা আখৰেই জীৱন-তৰী কেনেকৈ উটুৱাই দিয়ে!

ৰাতিটো কোনোমতে কটাই পিছদিনা ঘৰমুৱা হলো। ভোক-পিয়াহ কেনিবাদি পলাল। নানা দুশ্চিন্তাই ওপৰাউপৰিকৈ জুমুৰি দি ধৰিলেহি। ভাবি ভাবি চিন্তাৰ ওৰকে নোপোৱা হলোঁ। মৃত্যুতকৈ মৃত্যুৰ আগৰ যন্ত্ৰণা ভয়ঙ্কৰ। দেহৰ পৰা আত্মা আঁতৰি যোৱাৰ আগতে প্ৰাণীৰ বাঁচিবৰ আশা আৰু মৃত্যুৰ কৰাল গ্ৰাসৰ ভিতৰত টনাটনি লাগে; এই অৰিয়াঅৰিতেই গোটেই দেহ থৌকি-বাথৌকি হৈ উঠে। অনিদ্ৰা অনাহাৰত জৰ্জ্জৰিত হৈ ঘৰ ওলালোহি। আইৰ জীৱনৰ আশা নিচেই কম। আইৰ ওচৰত অহৰহ ফুল লাগিয়েই আছে। আঁতৰি গলে আকৌ মতাই আনে। আইৰ মৃত্যুৰ অৱস্থা বৰ্ণাই তোমালোকৰ আমোদৰ সন্ধিয়াটো নিৰানন্দ কৰি নোতোলো। মৃত্যুৰ আগতে আয়ে মাথোন কৈ গল "মই তোৰ ঘৰখনি পাতি দিব নোৱাৰিলো—সেয়ে মোৰ দুখ বল।"

সংসাৰখন ভাৱনা-ঘৰ। ভাৱৰীয়াই ভাও দি মৃত্যুৰ হাতত প্ৰাণ সপি দিয়ে আৰু অন্যান্য ভাৱৰীয়াসকলে দৰ্শকক দেখুৱাই শোক প্ৰকাশ কৰে। কিন্তু ছো-ঘৰত সোমালেই গালো-বালো খোলাকটিৰ তাল। কিছুমান দিন আইৰ শোকত বিহ্বল হৈছিলো, আইৰ অবিহনে জীৱন ধাৰণ কৰা অসম্ভৱ বুলি ভাবিছিলো।

অবিৰাম গতিৰে সময় যাবই লাগিছে। চাওঁতে চাওঁতে চকুৰ আগেদি দিনৰ পিছত মাহ, মাহৰ পিছত বছৰ পাৰ হৈ গৈছে। বঢ়া নদীয়ে কাষৰ খাল-বাম সমান কৰি নিয়াৰ দৰে সময়েও জীৱনৰ খলা-বমা সমান কৰি পেলায়। অহৰহ পানী পৰি থাকিলে প্ৰাণহীন শিলৰো বাহিৰ ধূলি-মাকতি নষ্ট হয়। চকুপানীয়ে অন্তৰৰ শোক তাপ কোমলাই পেলায়। চকুৰ পানী নোহোৱা হলে শোকানল নুমুৱা টান হলহেঁতেন। আকৌ জীৱনযাত্ৰাত আগবাঢ়িলো।—আগলৈ

বুলগৰিয়াৰ ঐতিহাসিকতা

—শ্ৰীযুত গোলোকপতি শৰ্ম্মা

বুলগৰিয়া য়ুৰোপত বল্কান উপকূলৰ এখন সৰু ৰাজ্য। বুলগৰিয়াৰ অধিবাসী সকলক বুলগৰীয় বোলে। খৃঃৰ



বুলগৰিয়াৰ আঙ্কহিয়ালো নগৰৰ লোণ-পুং

৪ৰ্থ শতিকাৰ আদিছোৱাত মাজ-এচিয়াৰ মঙ্গোলীয় জাতৰ এজাক মানুহ য়ুৰোপৰ উৰল আৰু ভল্‌গা নৈৰ মাজৰ ভূমিখণ্ড পায়গৈ। ৪৩৩ খৃঃত এই মানুহ জাক দুখেল হয়—উটিগুৰি আৰু কুট্ৰিগুৰি। কুট্ৰিগুৰিয়ে কৃষ্ণসাগৰৰ উত্তৰ কূলত এখন ৰাজ্য স্থাপন কৰিছিল। আভৰবিলাকে এই ৰাজ্য আক্ৰমণ কৰি ধ্বংস কৰি পেলালে, ৫৬০ খৃঃ। ইয়াৰ পৰা এই সম্প্ৰদায়টোৰ নাম আৰু বুৰঞ্জীত পাবলৈ নাই। উটিগুৰি সম্প্ৰদায় পূৱ ভূমিখণ্ডত আছিল আৰু তেওঁলোকো বছৰচেৰেক আভৰবিলাকৰ অধীন আছিল। ৫৮২ খৃঃত তেওঁলোক আকৌ স্বাধীন হয় আৰু ভল্‌গাৰ উপকূলত এখন ৰাজ্য পাতে। ১৩শ শতিকালৈ এই ৰাজ্যখন 'কৃষ্ণ বুলগৰিয়া' নামে জনাজাত আছিল। উটিগুৰিৰ এটা খেল, ছৰ্দ্দাৰ ইস্পেৰিকৰ তলে, ৫৭৯খৃঃত ডানিয়ুব নৈ পাৰ হৈ আহি ৰোমৰ মচিয়া প্ৰদেশত সোমায়। মচিয়াত তেতিয়া শ্লাভজাতীয় মানুহ আছিল। উটিগুৰিৰ হাতত এই মানুহ বিলাক যুঁজত পৰাস্ত হয়। উটিগুৰিবোৰ ক্ৰমে কন্‌ষ্টান্টি-নেপোল আৰু চালোনিকাৰ ফালে আগবাঢ়ি গ'ল। ৰোমৰ পূৰভাগৰ সম্ৰাটসকল উটিগুৰিৰ লগত যুঁজি হাৰে আৰু মচিয়া প্ৰদেশখন উটিগুৰিক এৰি দিয়ে। উটিগুৰি সংখ্যাত তাকৰ আছিল। সেই কাৰণে তেওঁলোকে, অসমত আহোমসকলৰ দৰে, সুকীয়া ধৰ্ম্ম, ভাষা, সামাজিক আচাৰ-নীতি আদি এৰিব লগাত পৰিল। শ্লাভজাতীয় ধৰ্ম্ম, ভাষা আৰু আচাৰনীতি উটিগুৰিবিলাকে ললে আৰু শ্লাভজাতিৰ লগত তেওঁলোক সানমিহলি হৈ গ'ল। এই দুই জাতিৰ সংমিশ্ৰণত খৃঃ ৯ম শতিকাত বুলগৰীয় জাতিৰ উৎপত্তি হয়।



বুলগৰিয়াৰ জাতীয় সাজ-পাৰ আৰু কানি-কাপোৰ পিন্ধাৰ আৰ্হি

ছাইমন নামে বুলগৰীয় ৰজা এজন বৰ প্ৰতাপী হৈ উঠে। তেওঁৰ ৰাজত্ব কাল খৃঃ ৮৯৩-৯২৭। ছাইমনে তেওঁৰ ৰাজ্যৰ পৰিসৰ দখিণ-পচিমে এড্ৰিয়েটিক সাগৰলৈ বঢ়ায়

আৰু চাৰ্ভিয়াও তেওঁৰ শাসনৰ তলতীয়া হয়। ছাইমনেই পোন-প্ৰথম বুলগৰীয় সাম্ৰাজ্য স্থাপন কৰে। ছাইমনৰ মৃত্যুৰ পিছত বুলগৰীয় ৰাজশক্তি তেনেই দুৰ্ব্বল হৈ পৰে। ইয়াৰ ঘাই-কাৰণ আত্মকন্দল। ৰাজশক্তি দুৰ্ব্বল হলত বুলগৰীয় সাম্ৰাজ্য ভাগি ডোখৰ ডোখৰ হয়। ৯৩১ খৃঃত চাৰ্ভিয়াই স্বাধীন ৰাজ্য বুলি ঘোষণা কৰে। ৯৬৩ খৃঃত শ্লাভকোঁৱৰ নিকোলাৰ অধীনত মেচিডোনিয়া বিদ্ৰোহী হৈ উঠে আৰু নিকোলাই 'জাৰ' উপাধি লয়। ৯৭২ খৃঃত পুব বুলগৰিয়াও ৰোমসাম্ৰাজ্যত ভুক্ত হয়। নিকোলাৰ পুতেক চেমুৱেলে নতুন বুলগৰীয় সাম্ৰাজ্য পাতিবলৈ চাৰ্ভিয়া আৰু উত্তৰ বুলগৰিয়া উদ্ধাৰ কৰি দখিণে থ্ৰেচেলিলৈ তেওঁৰ ৰাজ্য বঢ়ায়। কিন্তু ১০১৪ খৃঃত সম্ৰাট ২য় বেছিলৰ লগত যুঁজ দি তেওঁ ঘাটে আৰু তাৰ পিছত তেওঁৰ মৃত্যু হয়। ইয়াৰ পিছত প্ৰায় ডেৰশতাব্দি কাল বুলগৰীয় ৰাজ্যবোৰ বাইজেণ্টাইন সম্ৰাটসকলৰ অধীনে আছিল।



গোলাপ ফুলৰ ফুলনিত ফুল ছিঙিছে

গোলাপ ফুলৰ নিৰ্য্যাস উলিয়াই আতৰ তৈয়াৰ কৰা বুলগৰিয়াৰ প্ৰধান শিল্প। পুব কমেলিয়াত প্ৰচুৰ গোলাপ ফুল পোৱা যায়। তাত লাখ লাখ গোলাপ ফুলৰ ফুলনি আছে।

খৃঃ ১১৮৫ শ'কত আইভান আৰু পেটাৰ এছেন নামে দুজন ভাই-ককায়ে উত্তৰ বুলগৰিয়া উদ্ধাৰ কৰে। তেওঁলোকে বুলগৰিয়াৰ পূৰ্ব্বতন ৰাজাসকলৰ বংশধৰ বুলি চিনাকি দিছিল। আইভান এছেনে 'বুলগৰীয় আৰু গ্ৰীকসকলৰ জাৰ' উপাধি ললে। তৃতীয় এছেনৰাজ কেলোয়ানে তেওঁৰ ৰাজ্য বেলগ্ৰেড্ আদিলৈ বহুতকৈ বঢ়ায়। বুলগৰীয় ৰাজা সকলৰ ভিতৰত দ্বিতীয় আইভান এছেন সবাতকৈ শক্তিমন্ত আছিল। ১২১৮ খৃঃৰ পৰা ১২৪১ খৃঃলৈ তেওঁ ৰাজত্ব কৰে। তেওঁ যুঁজত বৰকৈ লিপ্ত হৈছিল আৰু এল্‌বেনিয়া, এপিৰাচ, মেচিডোনিয়া আৰু থ্ৰেচ তেওঁৰ সাম্ৰাজ্য ভুক্ত হৈছিল। ১২৮০ খৃঃত এছেন বংশৰ অন্ত পৰে। ইয়াৰ পিছত বুলগৰীয় সাম্ৰাজ্য আকৌ ভাগিবলৈ ধৰে। শেহত ১৩৯৬ খৃঃত বুলগৰিয়া তুৰ্কীৰ অধীনলৈ আহে। তুৰ্কীৰ অধীনত বুলগৰিয়া ৫০০ বছৰ থাকে। তুৰ্কসকল বৰ অত্যাচাৰী আছিল। সিহঁৰে হাতত জুই আৰু তৰোৱাল লৈ গাওঁ-ভূই, নগৰ, মঠ মন্দিৰ উপান্ত কৰি গৈছিল। ভৈয়ামৰ মানুহ অত্যাচাৰত থাকিব নোৱাৰি পৰ্ব্বতলৈ পলাই গ'ল আৰু তাত বসতি কৰি থাকিল। উপায় নাপাই, ডা-ডাঙৰীয়া কিছুমানে মুছলমান ধৰ্ম্ম ললে। কিছুমান মানুহ ডানিয়ুব নৈৰ সিপাৰে গৈ আশ্ৰয় ললে। বোগোমিল বোলা এজাতি মানুহে বৰ বেছিকৈ মুছলমান ধৰ্ম্ম ললে।



সুগন্ধি তেল কৰাৰ পুৰণি কাৰখানা

এক আউন্স আতৰ কৰিব লাগিলে সাধাৰণতে ষাঠি হেজাৰ গোলাপ ফুল লাগে। এই ফুলবোৰৰ নিৰ্য্যাস বুলগৰিয়াত পুৰণি কালত ছবিত দেখুৱা পদ্ধতিৰে উলিয়াইছিল। আজিকালি এই পদ্ধতিৰ ঠাইত ন-ন পদ্ধতি সোমাব ধৰিছে।



বিয়াৰ কইনাৰ সাজ

বুলগৰিয়াৰ বিয়াৰ কইনাবিলাকে মূৰত যিমান পাৰে ফুলৰ মালা আৰু সেইদেশীয় মুদ্ৰাৰে সজা টুপী লয়। এই সুবৃহৎ সাজটো বেছি সময় ৰাখাকে। পিছত আন জনপ্ৰিয় মূৰৰ সাজ লয়।

বল্কানৰ উত্তৰ-দখিণে ভৈয়ামত তুৰ্কীৰ উপনিবেশে ভৰি পৰিল। জাৰশাসিত বুলগৰিয়াৰ সকলো ৰাজ্য থ্ৰেচ আৰু মেচিডোনিয়া আদি এজন তুৰ্ক গৱৰ্ণৰ জেনেৰেলৰ শাসনৰ তলত হ'ল। আচল বুলগৰিয়াক পাঁচভাগত ভাগ কৰিলে—চঞ্জাক্স অৱ চফিয়া, নিকোপলিচ, ভিডিন, চিলিষ্ট্ৰীয়া আৰু কুষ্টেণ্ডিল। তুৰ্কীৰ শাসন বৰ অত্যাচাৰী আছিল। প্ৰজাৰ ওপৰত কৰৰ বোজা ইমান গধুৰ কৰি জাপি দিছিল যে প্ৰজাই তাক বহন কৰিব নোৱাৰা হৈছিল। বুলগৰিয়াৰ খৃষ্টান অধিবাসীসকলে সৈনিক বিভাগত সোমোৱা নাছিল। যিকসল সোমাইছিল সেইসকলে বিশেষ সুবিধা কেতবোৰ পাইছিল। তেওঁলোকক সকলো প্ৰকাৰ কৰৰপৰা মুক্তি দিয়া হৈছিল আৰু, কবলৈ গলে তেওঁলোকে স্বায়ত্ত-শাসন পাইছিল। সাউদ আৰু খনিত কাৰবাৰ কৰা সকলেও এই সুবিধা ভোগ কৰিবলৈ পাইছিল। শাসনৰ অত্যাচাৰত মাজে-সময়ে বিদ্ৰোহ হৈছিল; কিন্তু সেই বিদ্ৰোহবোৰে কৃতকাৰ্য্যতা লাভ কৰিব পাৰা নাছিল। অষ্ট্ৰিয়াৰ লগত যুঁজ লাগোতে তুৰ্কীৰ সৈন্য বুলগেৰিয়াৰ মাজেদি গৈ ৰায়তসকলক মহতিয়াই পেলাইছিল। সেই সময়ত বুলগৰিয়াৰ হত্যাকাণ্ড আৰু লুটপাটৰ সীমা-সংখ্যা নোহোৱা হৈছিল। ১৭০৪ খৃঃত পাছানোগ্লু নামে নেতা এজনে তিনিজাক তুৰ্কী সেনাক যুঁজত পৰাজয় কৰি ভিডিনত স্বাধীন ৰজা বুলি ঘোষণা কৰিলে। তেওঁ দেশত আন এবিধ নতুন মুদ্ৰাৰ প্ৰচলন কৰিছিল।

বিদেশী শাসনৰ তলত বুলগৰিয়াৰ জাতীয়তা ইমান দিনে সুপ্ত হৈ আছিল। লাহে লাহে তেওঁলোকে জাতীয় চেতনা লাভ কৰিবলৈ ধৰিলে। যিসকলে পৰাধীন বুলগৰিয়াত জাতীয় আন্দোলন চলাব ধৰিলে, তেওঁলোকৰ ভিতৰত পেইজি এজন। পেইজি 'মাউণ্ট এঠছ'ৰ সন্ন্যাসী। ১৭৬২ খৃঃত তেওঁ এখন বুৰঞ্জী লিখে। তাত



নাচনীৰ সাজ

পৰৰ উছৱত বা বন্ধৰ দিনা আৰু দেওবাৰে কৰবাত নাচিব লগা হলে অকল ফুলৰ মালাই নাচনী ছোৱালীহঁতক সুশুৱায়। সেই কাৰণে তেওঁলোকে মূৰত পাখি-লগা আৰু গাত আন উজ্জ্বল সাজ লয়।

বুলগৰীয় ৰাজা আৰু সাধু-সন্তসকলৰ কাহিনী লিপিবদ্ধ কৰিছিল। তাৰ পিছত আৰু নানান জাতীয় লিখা ওলাবলৈ ধৰিলে। দেশত ক্ৰমান্বয়ে শিক্ষা বিস্তাৰ হবলৈ ধৰিলে। ১৮৩৫ খৃঃত পোন-প্ৰথম বুলগৰীয় স্কুল স্থাপন কৰা হয়। ইয়াৰ দহ বছৰৰ ভিতৰতে প্ৰায় ৫০ খন স্কুল পতা হয় আৰু পাঁচোটা ছাপাখানাও প্ৰতিষ্ঠিত হয়। বুলগৰিয়াত সম্ভ্ৰান্ত লোকসকলৰ গ্ৰীক্‌ভাষা আছিল। বুলগৰীয় ভাষাও গ্ৰীক্ আখৰেৰে লিখা হৈছিল। আনকি নিৰক্ষৰ বুলগৰীয়সকলে নিজক গ্ৰীক্ বুলিহে চিনাকি দিছিল। মুঠতে সেই সময়ত গ্ৰীকৰ প্ৰভাৱ বুলগৰিয়াৰ ওপৰত গোটেইখিনি পৰা বুলি কব পাৰি। বুলগৰিয়াই এই প্ৰভাৱ আঁতৰাবলৈ পোনতে এটা নিজা গিৰ্জ্জা পোপক খাটি-খুটি কৰি ললে, ১৮৭২ খৃঃ। তেতিয়াৰ পৰাই বুলগৰিয়াৰ জাতীয় ভাব প্ৰসাৰিত হয়।



বুলগৰিয়াৰ খেতিয়কৰ ঘৰৰ তিৰোতাই বেৰি ফল নিব ধৰিছে

বুলগৰিয়াত জাতীয় ভাব বঢ়াৰ লগে লগে ১৮৭১ খৃঃৰ মেই মাহত এটা ভীষণ বিদ্ৰোহ হয়। সেই বিদ্ৰোহ বৰ নিষ্ঠুৰতাৰে দমন কৰিছিল। কেৱল বটক নামে ঠাই এডোখৰত ১৫ হাজাৰ বুলগৰীয় মুনিহ, তিৰোতা আৰু



বুলগৰিয়াৰ ধৰ্ম্মযাজক শ্ৰেণীৰ সন্ন্যাসীসকল (black clergy)

লৰাছোৱালী হত্যা কৰিছিল। ৫৮ খন গাওঁ আৰু পাঁচোটা ধৰ্ম্মমন্দিৰ ধ্বংস কৰি পেলায়। সেই সময়ত প্ৰায় গোটেই বল্কানজুৰি বিদ্ৰোহ হয়। বিদ্ৰোহীহঁতক কেৱল হত্যা-কাণ্ডেৰে দমন কৰা হয়। গ্লেডষ্টোনে সৰু পুস্তিকা এখন ছপাই এই হত্যাকাণ্ডবোৰৰ নিন্দা কৰিছিল। প্ৰধান শক্তিসমূহে তেতিয়াও কোনো পন্থা অবলম্বন কৰা নাছিল। কিন্তু ১৮৭৭ খৃঃৰ এপ্ৰিল মাহত চাৰ্ভিয়াই যুদ্ধ ঘোষণা কৰিলে। দুহেজাৰ বুলগৰীয় স্বেচ্ছাসেৱক চাৰ্ভিয়াৰ লগ লাগিল। শাসন-সংস্কাৰৰ প্ৰস্তাৱ কৰি শক্তিসমূহে কন্‌ষ্টাণ্টিনেপলত এখন কন্‌ফাৰেন্স পাতিছিল; কিন্তু সি ব্যৰ্থ হলত বছৰৰ শেহভাগত ৰুচিয়াই যুদ্ধ ঘোষণা কৰিলে। কিন্তু ১৮৭৮ চনৰ মে মাহত ছেন ষ্টেফানোত সন্ধি হ'ল। সেই সন্ধিমতে ৰুচিয়াই বুলগৰিয়াৰ জাতীয় আকাংক্ষাবোৰ স্বীকাৰ কৰি ললে। এই সন্ধিত বল্কান উপকূলৰ ⅔ ভাগ বুলগৰীয়া ৰাজ্যত সোমাল। কিন্তু শক্তিসমূহৰ এই সন্ধিত গাৰ পোৰণি উঠিল। বুলগৰিয়া অকল ৰুচিয়াৰ হাতৰ তলৰ হোৱা দেখি তেওঁলোকে বাৰ্লিনত সন্ধি কৰে সেই বছৰতে। আৰু বুলগৰিয়াৰ কেইবা অংশ বিভিন্ন ৰাজ্যৰ তলতীয়া হ'ল। যি অংশ বুলগৰিয়া হৈ থাকিল, তেওঁলোকক ৰাজকোঁৱৰ সকলৰ

ভিতৰৰপৰা এজন ৰাজা বাছি লবলৈ দিলে। কিন্তু ইতিমধ্যে ৰুচিয়াই বুলগৰিয়া দখল কৰি নিজৰ চাকৰিয়ালেৰে শাসনকাৰ্য্য চলাবলৈ লাগিল।

১৮৭৯ খৃঃৰ আগষ্ট মাহত বুলগৰীয় এছেম্‌ব্লিয়ে কোঁৱৰ আলেক্‌জেণ্ডাৰক ৰাজা বাছিলে। তেওঁ ৰুচিয়াৰ জাৰ দ্বিতীয় আলেক্‌জেণ্ডাৰৰ ভতিজাক। এই সময়ত বুলগৰিয়াৰ শাসন-পদ্ধতি গণতান্ত্ৰিক আছিল।



ধৰ্ম্মপ্ৰচাৰিকাসকল

বুলগৰিয়াত কেইশমান সন্ন্যাসিনী আছে। তেওঁলোকে নিজৰ পৰিশ্ৰমৰ ওপৰৰ আয়ৰদ্বাৰা জীৱিকা চলায়। দিনে কেবা ঘণ্টাও প্ৰচাৰ আৰু শিক্ষাত কটায়। তেওঁলোকক সকলোৱে সন্মান কৰে। তেওঁলোকৰ ৰিলিতিয়াছ ছিষ্টাৰজহড নামে এটা সংঘ আছে।

দ্বিতীয় আলেক্‌জেণ্ডাৰ ঢুকালত আলেক্‌জেণ্ডাৰে বুলগৰীয়সকলৰ ফালে বেছিকৈ টানিব ধৰিলে। ফলত দেশখনত নানা বেমেজালি উপস্থিত হ'ল। বল্কানত শক্তি খৰ্ব্ব হব দেখি চাৰ্ভিয়াই যুদ্ধ ঘোষণা কৰিলে। কিন্তু বুলগৰীয় সকলৰ হাতত চাৰ্ভিয়া ঘাটিল; কোঁৱৰ আলেক্‌জেণ্ডাৰ পূৱ-ৰুমেলিয়াৰ গৱৰ্ণৰ-জেনেৰল হ'ল। কিন্তু কোনো কোনো চক্ৰান্তক ৰাজপুৰুষৰ মনত এনেবোৰ কথা আৰু বেমেজালি ভাল নালাগিল। তেওঁলোকে কোঁৱৰ আলেক্‌জেণ্ডাৰক ৰাজপ্ৰাসাদতে বন্দী কৰি সিংহাসন ত্যাগ কৰাবলৈ চহী ললে আৰু, বুলগৰিয়াৰ পৰা দেশান্তৰ কৰিলে। আলেক্‌জেণ্ডাৰৰ ঠাইত প্ৰতিনিধি বাছি লোৱা হ'ল।

অৱশেহত, ১৮৮৭খৃঃত জাৰ্ম্মেণ-কোঁৱৰ ফাৰ্ডিনেণ্ডক বুলগৰিয়াই বাছনিত তুলিলে। কিন্তু ৰুচিয়া এই বাছনিৰ বিৰুদ্ধ হ'ল। ৰুচিয়া যদিও বিৰোধী হ'ল, তথাপি আন আন য়ুৰুপীয় সক্তিসমূহে ফাৰ্ডিনেণ্ডক স্বীকাৰ কৰি ললে। ফাৰ্ডিনেণ্ড ৰুচিয়াৰ মিত্ৰতা লাভ কৰিবলৈ ব্যগ্ৰ হ'ল। তেওঁ বোৰ্ব্বন-পাৰ্ম্মাৰ কুঁৱৰী মেৰি লুইক বিয়া কৰিলে। আৰু তেওঁ তেওঁৰ সবাতো ডাঙৰ পুতেক কোঁৱৰ বৰিছক গোৰা ধৰ্ম্মমতে দীক্ষিত কৰিলে। ইয়াত অষ্ট্ৰিয়া-হাঙেৰীয়ে বেয়া পালেও ৰুচিয়াৰ মনত ভাল লাগিল, আকৌ ৰুচিয়াৰ প্ৰভাৱ বুলগৰিয়াত পৰিল।

ইয়াৰ পিছত বুলগৰিয়াত আৰু নানা ঘটনা ঘটে। সেই-বোৰ ইয়াত কোৱাৰ সকাম নাই। চমুকৈ ইয়াকে কৈ থলে হব যে ১৯০৮খৃঃ শঁকৰ ৫ অক্টোবৰ তাৰিখে ফাৰ্ডিনেণ্ডে বুলগৰিয়াৰ স্বাধীনতা ঘোষণা কৰে। বুলগৰিয়াৰ ওপৰত খোৱা-কামোৰা লগাইছিল ৰুচিয়া, তুৰ্কী, গ্ৰীচ আৰু চাৰ্ভিয়াই। এই শক্তিবোৰৰ ভিতৰত পৰস্পৰ যুঁজ-বাগৰো হৈ গৈছে। তথাপি ৰাজনৈতিক ডাৱৰে আৱৰি থকাতো ফাৰ্ডিনেণ্ডে ৰুমালিয়াক বুলগৰিয়াৰ ভিতৰত সুমাই লৈ স্বাধীনতা ঘোষণা কৰে। কিন্তু বুলগৰিয়াক যে শক্তিবিশেষে আক্ৰমণ কৰিব সেই কথা ফাৰ্ডিনেণ্ডৰ বঢ়িয়াকৈ জনা আছিল। আৰু তেওঁ অতি-সংগোপনে যুদ্ধৰ কাৰণে সাজু হৈও আছিল। ইতিমধ্যত বুলগৰিয়াৰ ৪ৰ্থ ফৌজে মিত্ৰশক্তি চাৰ্ভিয়া আৰু গ্ৰীচক আক্ৰমণ কৰিলেই। এই যুজত বুলগৰিয়া আৰু মেচিডোনিয়াৰ বিস্তৰ হানি হ'ল। ১৯১৩ চনৰ আগষ্ট মাহৰ বুখাৰেষ্টৰ সন্ধিমতে বুলগৰিয়াৰ অধিকাৰৰ দখিণ ডৰবুজা ৰুমানিয়াৰ ভিতৰুৱা হ'ল; চাৰ্ভিয়া আৰু গ্ৰীচে মেচিডোনিয়াখন বাঁটি ললে; বুলগৰিয়াই পালে পৰ্ব্বতীয়া ঠাই এডোখৰ মাথোন।

এই সময়তে য়ুৰোপত মহাসমৰ লাগে। মহাসমৰৰ কথা ইয়াত বহলাই নকলেও হব। কিয়নো, মহাসমৰৰ কথা সকলোৱে জানে। মহাসমৰৰ কথা ভাৰতবাসীৰ মনত চিৰকাল জাগি থাকিব; কিয়নো, ধনেপ্ৰাণে বৃটিঃশ ৰাজক সহায় কৰা ফল ভাৰতবাসীয়ে হাতে হাতে পাইছে—ৰাওলাট আইন, পঞ্জাৱৰ অমানুষিক হত্যাকাণ্ড আৰু ১৯১৯ চনৰ ফুটুকাৰ ফেন শাসন-সংস্কাৰ। মহাসমৰত বুলগৰিয়াৰ ৰাজহাড় ভাগে। কিছুদিন যুদ্ধ হৈ যোৱাৰ পিছত ১৯১৫ চনৰ ৩ অক্টোবৰ তাৰিখে ৰাজা ফাৰ্ডিনেণ্ডে সিংহাসন ত্যাগ কৰে আৰু তেওঁৰ ঠাইত তেওঁৰ পুতেক বৰিছ ৰাজা হয়। মহাসমৰত, নিউলিৰ সন্ধিমতে, বুলগৰিয়াই বহু ঠাই হেৰুৱায়। দখিণ ডৰবুজা ৰুমানিয়াৰ ভিতৰলৈ যায়, কাৰিব্ৰড আৰু ষ্ট্ৰমিকা যুগোশ্লোভিয়াৰ ভিতৰলৈ যায়, মেচিডোনিয়াৰ অধিকৃত ঠাই গ্ৰীচৰ অন্তৰ্ভুক্ত হয়, আৰু এজিয়ান উপকূল মিত্ৰশক্তি আৰু যুক্তশক্তিবোৰলৈ যায় তাৰোপৰি বুলগৰিয়াক নিৰস্ত্ৰ কৰা হয়।

অতীত মাধুৰী

অসমত বুৰঞ্জীৰ চৰ্চ্চা

আহোমৰ দীঘলীয়া ৰাজত্বৰ বিষয়ে জানিবলৈ আমাৰ আপোনা-আপুনি এটি ইচ্ছা জন্মে। এই ৰাজত্বৰ বিস্তৃত বুৰঞ্জীৰ অভাৱ নাই। বুৰঞ্জী লিখা বিদ্যাত আহোম জাতিয়ে অনেক জাতিক চেৰ পেলাইছিল। তেওঁলোকে অসমত ভৰি দিয়াৰ লগে লগে ইয়াত বুৰঞ্জী-চৰ্চ্চাৰ আৰম্ভ হবলৈ ধৰিলে। আহোমসকল অহাৰ পূৰ্ব্বে অসমৰ সঠিক বুৰঞ্জী পাবলৈ নাই, আৰু অনেকাংশ কিম্বদন্তী আৰু পুৰাণ আদিৰ মুখাপেক্ষী। তেৰ শতিকাৰ আৰম্ভণৰ পৰা আমাৰ দেশৰ বুৰঞ্জীক প্ৰকৃত অৰ্থত বুৰঞ্জী বুলিব পাৰি। পোনতে বুৰঞ্জীবোৰ আহোম ভাষাত লিখা হৈছিল, তাৰ পাচত অসমীয়া ভাষাতো বুৰঞ্জী লিখাৰ প্ৰথা চলিবলৈ ধৰিলে। অসমত বুৰঞ্জী চৰ্চ্চাৰ ইমান উন্নতি হয় যে, বুৰঞ্জী লিখাৰ তদাৰক কৰিবলৈ আৰু নিজে লিখিবলৈ ৰজাঘৰীয়া এজন নিৰ্দ্দিষ্ট বিষয়া আছিল। সেই সময়ত প্ৰত্যেক ভদ্ৰসন্তানে দেশৰ বুৰঞ্জী জানিছিল। আন শিক্ষাৰ লগে লগে কোঁৱৰসকলক সাধুকথাৰ দৰে বুৰঞ্জীৰ ঘটনাবোৰ শিকোৱাৰ নিয়ম আছিল। অসমত যে অকল অসমৰ বুৰঞ্জীৰ হে চৰ্চ্চা আছিল এনে নহয়। বঙ্গদেশ, কাশ্মীৰ প্ৰভৃতিৰ বুৰঞ্জীও আমাৰ ভাষাত লিখা হৈছিল। আৰু যিমান পৰা যায় সেই বুৰঞ্জীবোৰ সচিত্ৰ কৰা হৈছিল। আহোম আৰু অসমীয়া বুৰঞ্জীবোৰৰ এটি বিশেষ গুণ এই যে, তাত "আন্দাজত ফৰ্ম্মুটি মৰা" অভ্যাস নাই। যুদ্ধ আৰু অন্যান্য ঘটনাবোৰৰ যথাযথ বিবৰণ পোৱা যায়। তাত অতিৰঞ্জন বা পক্ষপাতিতা দোষৰ চেকা নাই। ইয়াৰ এটা প্ৰমাণ এই যে, সেই বিবৰণবোৰ মুছলমানে লিখা বুৰঞ্জীবোৰৰ লগত মিলে, আৰু এখন বুৰঞ্জীৰ বিৱৰণ আন এজনে লিখা আন এখনৰ লগত মিলে; কাচিত হে যদি অমিল পোৱা যায়। ঘটনাৰ বছৰ-দিন-বাৰ সঠিককৈ উল্লেখ কৰাটো আমাৰ বুৰঞ্জী-বোৰৰ এটা বিশেষ লক্ষণ; চুৰমুকা ৰজাৰ ৰাজত্বকালৰ বুৰঞ্জীৰ পৰা আমি এডুখৰি তলত টুকি দিলোঁ। তাৰপৰা ইয়াৰ প্ৰমাণ পোৱা যাব।

"১৫৬৫ শকৰ শাওণৰ ১৩ দিন গতে শনিবাৰ ৰাতি ছয় দণ্ডত আই কুঞ্জৰীয়ে ৰজাদেৱৰ ভায়েকক বুলিলে, তোৰ পুতেৰেহে মোৰ লোক মাৰিলে, তাকো মই মাৰোঁ, উলিয়াই দে।"

আৰু এঠাইত আছে—

"ডাঙ্গৰীয়া আৰু আন আন বিষয়া সকলৰ কথা এৰাব নোৱাৰি ১৫৬০ শকৰ ভাদৰ ১৩ দিন গতে শনিবাৰ প্ৰভাতে ভগনীয়া ৰজাদেৱক ভাঙ্গি কুৱঁৰীয়া জন ৰজাদেৱ হল।"

আহোমৰ দিনত অসমীয়া আৰু আহোম ভাষাত অলেখ বুৰঞ্জী লিখা হয়। কিন্তু ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ দিনত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ আদেশ মতে ৰাজ্যৰ বুৰঞ্জীবোৰ নষ্ট কৰা হয়। কীৰ্ত্তিচন্দ্ৰ পোনতে পাইকৰ শ্ৰেণীৰ আছিল; তেওঁৰ ক্ষমতা বঢ়াত ডাঙ্গৰীয়া সকল অসন্তুষ্ট হয়। নুমলী বৰগোহাঁয়ে 'চকৰীফেটী' নামে এখনি বুৰঞ্জী লিখি তাত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ বংশ পুৰুষৰ সকলো আঁতি-গুৰি উলিয়াই দিয়ে। বৰগোহাঁয়ে লিখা বুৰঞ্জীত বাজে আন বুৰঞ্জীতো তেওঁৰ বংশৰ বৃত্তান্ত আছে বুলি সন্দেহ কৰি তেওঁ সেইবোৰ পুৰিবলৈ আদেশ প্ৰচাৰ কৰে। মোগল সম্ৰাট আওৰংজেবৰ আদেশলৈ কেৰেপ নকৰি যেনেকৈ খাঁফি খাঁই বুৰঞ্জী লিখিছিল, সেইদৰে লুকুৱাই-চুৰকৈ বহুত অসমীয়া খাঁফি খাঁই অসম দেশৰ বৃত্তান্ত কাহিনী কীৰ্ত্তিচন্দ্ৰৰ বুৰঞ্জী-দাহযজ্ঞত সমৰ্পণ নকৰি সযত্নে ৰক্ষা কৰে। এই অসমীয়া খাঁফি খাঁ সকলৰ অনুগ্ৰহত আমি এতিয়াও অসমৰ বুৰঞ্জী পাইছোঁ। কিন্তু কীৰ্ত্তিচন্দ্ৰৰ এই কলঙ্ক-কীৰ্ত্তিৰ বাবে আমাৰ ভালেমান বুৰঞ্জীৰ চিন মোকাম নাইকিয়া হল। কীৰ্ত্তিচন্দ্ৰৰ দৃষ্টিৰ পৰা যিবোৰ বুৰঞ্জীয়ে পৰিত্ৰাণ পায়, মানৰ দিনৰ উৎপাতত তাৰ সৰহ ভাগৰে লোপ হয়। সেই দেখি অসমত এতিয়া বুৰঞ্জী উভৈনদী নহয়। এই বুৰঞ্জী বোৰৰ সংখ্যা অতিপাত বেছি নহলেও নিতান্ত তাকৰ নহয়। মিষ্টাৰ গেইটৰ অসম বুৰঞ্জীৰ পাতনিত সেই বিষয়ে ভালকৈ জনা যায়। জীৱিত বুৰঞ্জীবোৰৰ সদ্ব্যৱহাৰ কৰিলে এতিয়াও অসমৰ সুবৃহৎ বুৰঞ্জী লিখিবৰ সঁজুলি ওলাব।

আগৰ অসমীয়া বুৰঞ্জীবোৰৰ ভাষা নিভাঁজ অসমীয়া, তাত বাৰ বঙ্গলুৱা শব্দৰ সমাগম নাই। বহুত লুপ্ত অসমীয়া শব্দ সেই বুৰঞ্জীবোৰত পোৱা যায়। আহোম ভাষাৰ অস্তিত্বও আজিকালি ঘাইকৈ আছে সেই বুৰঞ্জীবোৰত হে। সেই বুৰঞ্জী বুজিব পৰা মানুহৰ সংখ্যা এতিয়া পৰালি পৰি আহিছে। ৰক্ষণশীল সকলৰ ঘাই ধৰণী বাইলুং দেওধাই সকলে আহোম ভাষা পাহৰি আহিবলৈ ধৰিছে।

ৰামগোপাল-চৰিত

—শ্ৰীযুত চিন্তাহৰণ পাটগিৰি

"ৰামগোপাল চৰিত" প্ৰাচীন অসমীয়া ভাষাত লেখা সাঁচিপেতীয়া এখান পদপুথি। বঙ্গালীৰ পুৰণি কথাৰ অনুসন্ধানত ফুৰোঁতে কালজিৰাপাৰাৰ শ্ৰীযুত কাশীচন্দ্ৰ দেৱ গোস্বামীৰ ঘৰত আন কেইখানমান পুথিৰ লগত ইয়াক পোৱা হৈছিল। বঙ্গালী সম্পৰ্কীয় কিছুমান কথা এই চৰিতত থাকা বুলি মালিকৰ পৰা জানিব পাৰাত পুথিখন লৈ আহা হৈছিল। তলত পুথিখানিৰ চমু আভাস এটা দিয়া হল।

জয়নাৰায়ণ "ৰামগোপাল চৰিত"ৰ লেখক। পুথি-খানত লেখকৰ কোনো পৰিচয় নাই, মাত্ৰ ইয়াক ১৭২১ শকত লেখা হৈছিল বুলি পুথিত উল্লেখ আছে। ভণিতাবোৰৰ পৰা ঠাৱৰ কৰিব পাৰি যে, লেখক ৰামগোপালৰ শিষ্য আছিল।

শ্ৰীৰামৰ বিষয় লৈ পুথি আৰম্ভ কৰা হৈছে। এই শ্ৰীৰাম গোবিন্দ মিশ্ৰৰ পুতেক; পুথিৰ পৰা গোবিন্দ মিশ্ৰৰ কোনো পৰিচয় পোৱা নাযায়। শ্ৰীৰাম সম্ভৱ প্ৰসিদ্ধ শ্ৰীৰাম আতা।

শ্ৰীৰামৰ দুই পুতেক,—(১) ৰামানন্দ আৰু (২) বৰ-আতা। ৰামানন্দৰ তিনি পুতেক —(১) ৰামগোপাল, (২) হৰিগোবিন্দ আৰু (৩) ৰামগোবিন্দ। ৰামানন্দৰ প্ৰথম পুত্ৰ এই ৰামগোপালৰ চৰিতকে এই পুথিত বৰ্ণোৱা হৈছে। ৰামগোপালৰ পুতেক কমলনয়ন। ৰামগোপালৰ বৈকুণ্ঠ-প্ৰয়াণৰ লগে লগে চৰিত শেষ হৈছে।

পুথিখানিৰ নাম যদিও "ৰামগোপাল চৰিত" ইয়াত শ্ৰীৰাম আৰু ৰামানন্দৰ চৰিতো বৰ্ণনা কৰা আছে। চৰিতখানক যদি বিশ্বাসযোগ্য বুলি ধৰিব পাৰি তেন্তে ইয়াৰ পৰা কিছু বুৰঞ্জীৰ আহিলা সংগ্ৰহ হব পাৰে। ভাষা আৰু সাহিত্য সম্পৰ্কেও পুথিখানৰ যথেষ্ট মূল্য আছে বুলি কব পাৰি।

পুথিৰ মতে শ্ৰীৰাম ভৱানীপুৰীয়া গোপালদেৱৰ কালঝাৰ থানত আছিল। গোপালৰ অনুচৰসকলৰ ভিতৰত শ্ৰীৰাম জাকত জিলিকা আছিল; সেইগুণে গোপালদেৱ বৈকুণ্ঠী হোৱাত শ্ৰীৰাম কালঝাৰৰ অধিকাৰ হব লাগা হৈছিল। শ্ৰীৰাম অবিবাহিত আছিল; পাছত তেওঁৰ শিষ্যসকলৰ অনুৰোধ এৰাব নোৱাৰি ভেৰাগুৰু নামে এক প্ৰসিদ্ধ ব্ৰাহ্মণৰ মধ্যম কন্যা যমুনাৰ লগত তেওঁৰ বিবাহ হয়; তেওঁৰ নাম-যশ চাৰিও-পিনে বিয়পি পৰিল। কালঝাৰৰ ওচৰত বৰনগৰ প্ৰভৃতিৰ ঠাইৰ কথা তো কবই নালাগে, উজনি অসমৰ-পৰাও বিশিষ্ট লোকসকল আহি শ্ৰীৰামৰ ওচৰত শৰণ লৈছিল।

শ্ৰীৰাম বৈকুণ্ঠী হোৱাত ৰামানন্দ কালঝাৰ সত্ৰৰ অধিকাৰ হয়। বাৰ বছৰৰ পাছত বৰ-আতাই পোৰা-ভাণ্ডাৰত গৈ সত্ৰ স্থাপন কৰে।

লৰাকালত ৰামানন্দে ভট্টাচাৰ্য্যৰ ওচৰত ভাগৱত শিক্ষা কৰি সুপণ্ডিত হৈছিল। এই ভট্টাচাৰ্য্য বৰনগৰৰ ভাগৱত-ভট্টাচাৰ্য্য ভট্টদেৱ বৈকুণ্ঠ কবিৰত্ন বুলি অনুমান কৰিব পাৰি। বঙ্গালীৰ গোবিন্দপুৰৰ কপিল গোসাঁইৰ জীয়েকক ৰামানন্দে বিবাহ কৰায়; আৰু তেওঁৰপৰা ৰামানন্দে ৰামগোপালক পুত্ৰ-লাভ কৰে। কালঝাৰ থানৰ গদীত বহাৰ পাছত উজনি অসমৰ শিষ্যসকলে সেইফালে এবাৰ যাবৰ কাৰণে তেওঁৰ ওচৰত প্ৰাৰ্থনা জনায়। অসম সেই সময়ত লাঙ্গি ৰজাৰ ৰাজ্য আছিল, আৰু কলিয়াবৰত এজন বৰফুকন থাকিছিল। ৰামানন্দ উজাই যাই কলিয়াবৰ পোৱাত আটায়ে আহি তেওঁক আদৰ-অভ্যৰ্থনাৰে আগবঢ়াই নিছিল। তাত সুখে-সন্তোষে কিছুদিন থাকাৰ পাছত তেওঁ উজনিলৈ যায়। উজনিৰ গোপালদেৱৰ মতাৱলম্বী থান-সত্ৰবোৰ চাই চিন্তি ৰামানন্দ কালঝাৰলৈ ঘূৰি আহে। তেওঁৰ

লগত আযম ৰাজ্যৰ তিনিকুৰিমান ভকতো আহিছিল।

ৰামানন্দ কালঝাৰ আহি পোৱাৰ পাছত ধিঙৰ উপদ্ৰৱ হয়। ধিংবোৰে টকা-কৰিৰ আশাত ৰামানন্দৰ লগত আহা উজনি অসমৰ তিনিকুৰি ভকতকে কাটে, ৰামানন্দে কোনো প্ৰকাৰেহে জীৱন ৰক্ষা কৰি সাৰে। এই ঘটনাৰ পাছত ৰামানন্দে কালঝাৰ এৰি লৰা-তিৰোতা আটাইকে লৈ অসম ৰাজ্যলৈ গুচি যায়, আৰু থাককডুবিত সত্ৰ স্থাপন কৰে।

লাচিত সেই কালত কলিয়াবৰত বৰফুকন হৈ আছিল; তেওঁ ৰামানন্দৰ ওচৰত শৰণ লয়। লাচিতে প্ৰগাঢ় ভক্তিৰ নিদৰ্শন স্বৰূপে কলিয়াবৰৰ ওচৰত ভেদেলি ভাণ্ডাৰত এক প্ৰস্থ বিতোপন ঘৰবাৰী সজাই ৰামানন্দৰ নামত উৎসৰ্গ কৰি দিলে। তাতে থাকি ৰামানন্দে ভেদেলিভাণ্ডাৰ সত্ৰ স্থাপন কৰে। তাত কিছুকাল থাকাৰ পাছত কেবাটাও কাৰণে সেই সত্ৰ এৰি উজাই গৈ বাংসবেঙ্গনি পালে।

বাংসবেঙ্গনিত ডেবেৰা বৰুৱাই মাটি দি ঘৰদুৱাৰ সজাই দিলে; ৰামানন্দে সত্ৰ পাতি তাতে থাকিল। এক বছৰ তাত থাকাৰ পাছত সৰু বন্ধুৱাত সত্ৰ পাতেগৈ। কিছুদিনৰ মূৰত তাৰপৰা ভেদেলিভাণ্ডাৰলৈ ঘূৰি আহে। ভেদেলিভাণ্ডাৰত কিছু দিন থাকি আকৌ বাংসবেঙ্গনিলৈ যায়।

ইয়াৰ পিছত অশ্বত্থগুৰিত সত্ৰ স্থাপন কৰিবৰ ইচ্ছাৰে মাটিৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ ৰামানন্দে গড়-গাৱঁলৈ যায়। তাত সন্দিকৈ, বুঢ়াগোহাঁই প্ৰভৃতিৰ লগত সাক্ষাৎ কৰি ৰাজাৰপৰা অশ্বত্থগুৰিত মাটি লাভ কৰে। বুঢ়াগোহাঁয়ে শেষত উপযুক্তমতে অশ্বত্থগুৰিত অতি বিতোপন কৰি ঘৰদুৱাৰ সজাই সকলো অভাৱ অভিযোগ পূৰণ কৰি দিলে। ৰামানন্দে তেতিয়া অশ্বত্থগুৰিত ডাঙ্গৰকৈ সত্ৰ স্থাপন কৰিলে।

ইয়াৰ পাছত ৰামানন্দই নামৰূপলৈ যায় আৰু তাত সত্ৰ স্থাপন কৰে। এবছৰ তাত থাকি অশ্বত্থগুৰিলৈ আহে। অশ্বত্থগুৰিত কিছুকাল থাকি কালঝাৰলৈ ঘূৰি আহে। কালঝাৰত নামকীৰ্ত্তন উৎসৱাদি কৰি কিছুকাল কটোৱাৰ পাছত ৰামানন্দ বৈকুণ্ঠী হয়। বৈকুণ্ঠী হোৱাৰ সময়ত ৰামানন্দে কালঝাৰ সত্ৰৰ ভাৰ ৰামগোপালক আৰু ভেদেলিভাণ্ডাৰৰ ভাৰ হৰিগোবিন্দ আৰু ৰামগোবিন্দক দি যায়।

ৰামানন্দৰ জীৱদ্দশাতেই কালঝাৰত কৌষিকৰ কন্যাৰ লগত ৰামগোপালৰ বিবাহ হয়। পিতৃৰ পৰলোক গমনৰ পাছত ৰামগোপাল উজাই যাই অশ্বত্থগুৰি সত্ৰত কিছুকাল থাকে। সেই সময়ত আহোম ৰাজা গদাধৰ সিংহে মতিচ্ছন্ন হৈ ধনৰ লোভত অশ্বত্থগুৰিৰ সত্ৰখান লুট-পাট কৰিবলৈ হুকুম দিয়ে। এই সম্পৰ্কত ৰাম-গোপাল আৰু তেওঁৰ মাতৃকে আদি কৰি লগৰ ভকত সকলে অশেষ নিৰ্য্যাতন ভুগিব লাগা হৈছিল। শেহত ৰাজ্যৰ সকলো ধৰ্ম্ম মন্দিৰ আৰু তাত থাকা মূৰ্ত্তি আদি ভাঙ্গি-ছিঙ্গি জুই লগাই দিবলৈ ৰাজাই হুকুম দিয়ে। অশ্বত্থগুৰিৰ সত্ৰও এইদৰে পোৰা যায়। এই সন্ত-সাধু সকলৰ প্ৰতি ৰাজাৰ এনেকুৱা কোপদৃষ্টি হল যে, তেওঁ-বিলাকৰ থাকিবৰে ঠাই নোহোৱা হল। শেষত চেউনিত যাই সত্ৰ পাতি থাকিল যদিও ৰাজাৰ কোপদৃষ্টিৰ হাত এৰাব নোৱাৰিলে।

গদাধৰ সিংহৰ মৃত্যুৰ পাছত ৰুদ্ৰসিংহ ৰাজা হয়। তেওঁ এই সন্ত-মহন্তসকলক পুনঃ নি আগৰ ঠাইত বহুৱাই কাকত কৰি নতুন বন্দবস্ত কৰি দিলে। কিছুকাল তাত থাকাৰ পাছত ৰামগোপালে সেই সত্ৰ এৰি আহি ঢেকীয়া-জনত সত্ৰ পাতে। তাৰপৰা গৈ মাথাডাঙ্গত সত্ৰ পাতি থাকে। কিছুকাল তাত থাকি কালঝাৰলৈ উভতি আহিবৰ ইচ্ছাৰে মাথাডাঙ্গৰপৰা আহি বিশ্বনাথ, বৰদোৱা আৰু কলিয়াবৰত দুই চাৰি দিনকৈ থাকি হাথীমুণ্ডা, কৰ্ম্ম-নাশা আৰু বিৰিহাটীৰ ঘাট এৰাই তেওঁ বৌ-বৌৱাৰ মুখ পাইছিল। বৌ-বৌৱাৰ মুখৰ পৰা উজাই আহি বাৰে-পইতা, তাৰপৰা শিঙ্গৰাচিকা জান, তাক এৰাই পোৰলা পাইছিল; পোৰলাইদি উজাই আহি কালঝাৰ পাইছিল। কমলনয়ন সেই সময়ত কালঝাৰ থানত আছিল। কালঝাৰ পোৱাৰ পাছত ৰামগোপালে বজালীৰ মান্তামাজিৰ ঘৰলৈ যায়। তাৰ পৰা তেওঁ জোৱাদ্দি সত্ৰলৈ যাই

কালঝাৰলৈ ঘূৰি আহে। এইদৰে পৰিভ্ৰমণ কাৰ্য্য শেষ কৰি ৰামগোপাল বৈকুণ্ঠী হয়।

ৰামানন্দে গড়গাৱঁৰ বুঢ়াগোহাঁইৰ অনুৰোধমতে "শঙ্কৰ চৰিত" ৰচনা কৰিছিল; আৰু ৰামগোপালে "ৰাজসুই" আৰু "কুমৰ হৰণ" অঙ্ক ৰচনা কৰি তাৰ ভাৱনা দেখুৱাইছিল।

এই চৰিতত উল্লেখ কৰা ঘটনাবোৰৰ ভিতৰত বিশেষৰূপে (১) ধিঙ্গৰ উপদ্ৰৱ, (২) লাচিত বৰফুকন ৰামানন্দৰ ওচৰত শৰণ হোৱা আৰু (৩) সাধু-মহন্ত, থান-সত্ৰবোৰৰ ওপৰত গদাধৰ সিংহৰ অত্যাচাৰ বুৰঞ্জীৰ সম্বল হব পাৰে।

পুথিখানিৰ ভাষা মিহি—লালিত্যপূৰ্ণ। যেনে—

(১) "নজানো ভকতি নতি বৰ্ব্বৰ অবোধমতি
নাহি নাহি পাপি সম মোত।
পতিত পাবন তুমি দিন দয়াসিল হৰি
তথাপি না সেবো চৰণত॥
সুত জায়া ধন জনে সত্য বুধি কৰি মনে
সমাধি কৰোহো হৃদয়ত।
যেন মহা অজ্ঞগণে গোৰ অস্থি তুলি লয়ে
ৰত্ন (?) আতি বুলিয়া মনত॥ ১১৪॥
এহিমত পটন্তৰ ভৈলা মোৰ বৰ্ব্বৰৰ
দিয়োক সুমতি জগজিৱ।
লৈয়োক কিঙ্কৰ কৰি কিনিয়োক দেৱহৰি
তত্ত্বজ্ঞান দিয়া সদাসিৱ॥
অদ্যাপি কৰিয়ো দায়া গুচায়োক তযু মায়া
তেৱে জন্ম সাফল হোৱয়।
মঞি দোষ্ক্ৰিয়াৰ (?) দোষ ক্ষেমিয়োক জগন্নাথ
তুমি ক্ষেমাসিল দায়াময়॥ ১১৫॥
যদি মোক নাতাৰিবা পতিত পাবন নাম
কেনে ধৰি আছা জগৰাই।
অগতিৰ গতি তুমি কহে নিস্ত বেদবাণী
তজু মুখ নিশৃত গোষাই॥
ভকতৰ ইস্তদেৱ তুমি বিনে নাহি কেৱ
নিস্তাৰিয়ো জগতৰ ধাম।
জয়নাৰায়নে ভণে একচিত্ত কৰি মনে
নিৰন্তৰে বোলা ৰাম ৰাম॥ ১১৬॥"

(২) "সিৰ চত্ৰাকৃত আতি কঞ্জদল দুই আখি
তিল ফুল নাষা প্ৰকাষন্ত॥ ২০৪॥
অৰুন অধৰ সোহে সুচান্দ বয়ন মোহে
সিংহ বন্ধ কন্ধ বিতোপন।
বহল হৃদয়ে আতি উৰ্দ্ধলোমে কৰে কান্তি
কম্বুকণ্ঠ কৰয় সোভন॥
কৰিকৰ ভুজ দুই চম্পাৰ পাকৰি জিনি
অঙ্গুলি সোভিত আতিসয়।
উদৰত ৰেখা তিনি তনু কটি সোভৈ আতি
উৰু ৰামকল সোভনয়॥ ২০৫॥
কৰপদ তল সোভে অৰুন বৰন আতি
জাক দেখি হৰৈ তিনি তাপ।
হেন চমৎকাৰ ৰূপ পেখি মনমথ চুপ
আপুনি উদিত জগবাপ॥"

(৩) "তিনিজনা আপি সমিপক গৈয়া
বষিলা ৰঙ্গে ৰমনি।
পদ্মপুয়া আপি শ্ৰীৰাম গোপাল
দেৱতাৰ শ্ৰেস্ত ভুনি। ৫২৫৪/অ:
মাজিয়ো আইত জনিলন্ত আৰ
ইন্দুমতি আপি আই।
ৰামগোবিন্দ হৰিগোবিন্দ
দুইহানো সোদৰ ভাই॥ ৩২০৬॥"

চৰিত্ৰকাৰে মিহি, লালিত্যপূৰ্ণ ভাষাৰে ঘটনাবোৰৰ হুবহু বৰ্ণনা দি তেওঁৰ কবিত্বৰ পৰিচয় দিছে।—

"এহিমতে জান্ত ৰঙ্গে শ্ৰীৰাম গোপাল সঙ্গে
ভক্ত সবে পঞ্চম উচাই।
নানা চন্দে নাম গাৱে তালচেৱে বৈঠা বাৱে
চলে নাৱ বিদ্যুত পৰাই॥
যেনে তিনি ৰাজহংস চলি যাই জল মাঝ
জলজন্তু পলাই দিয়া ফাট।
তিৰবাষি লোকচয় উৰ্দ্ধমুখে নিৰেখয়
পথিকে নুবুলে আৰ বাট॥ ২৪০৪॥"

সুন্দৰ সুন্দৰ উপমাৰে চৰিত্ৰকাৰে গভীৰ ভাববোৰ কিদৰে প্ৰকাশ কৰিছে মন কৰিব লগীয়া।—

(১) "দৰিদ্ৰে ইচয় যেন অমৃত ভোজন।
পঙ্গু যেন পৰ্ব্বতত উঠিবাক মন॥ ৪॥"

(২) মহাধৈৰ্য্যসিল আতি মেৰুৰ আলয়।
গম্ভিৰত যেন আতি সাগৰ নিচয়॥ ১২॥"

(৩) "যেন সৰোবৰে প্ৰফুল্লিত পদ্ম
সুঘ্ৰান আতি বহুয়।
সটপদগনে আকুলিত হৈয়া
ৰষক পান কৰয়॥ ৫৬॥
সেহিমতে দেৱ শ্ৰীৰাম আচন্ত
ধৰ্ম্মপথ পৱৰ্ত্তাই।
প্ৰযঙ্গত নিতে ভাগৱত কন্ত
ভকত মন ৰঞ্জাই॥ ৫৭॥"

(৪) "দেৱ ৰামানন্দে মধুৰ বচনে
সবাৰো মন ৰঞ্জিল।
যেন ৰৌদ্ৰ তাপে তৃনচয় আতি
সুধায়া আতি আচিল॥
বৃস্তিজল পায়া সিতো তৃনে পাচে
পূৰ্ব্বৱত ভৈল কাই।
সেহিমতে ভক্তে সন্তোষিত ভৈল
ৰামানন্দ বাক্য পাই॥ ২১০২॥"

পুথিখানিত শব্দবোৰৰ বৰ্ণবিন্যাস বিশেষৰূপে মন কৰিব লগীয়া। প্ৰাচীন কবিসকলৰ ৰচিত পুথিবোৰৰ বৰ্ণবিন্যাসৰ দৰে ইয়াতো প্ৰাকৃতিক বৰ্ণবিন্যাসৰ প্ৰভাৱ বৰ বেছি দেখা যায়। তাৰ ফলত শব্দবোৰৰ বৰ্ত্তমান চলিত বৰ্ণবিন্যাসৰ লগত পুথিৰ বৰ্ণবিন্যাস তলত দেখুৱা দৰে পৃথক হৈ পৰিছে।—

চলিত বৰ্ণবিন্যাস	পুথিৰ বৰ্ণবিন্যাস
জীৱ	জিৱ
লীলা	লিলা
প্ৰীতি	প্ৰিতি
তীক্ষ্ণতৰ	তিগ্ৰতৰ
দক্ষিণা	দখিনা
যতনে	জতনে
যমুনা	জমুনা
যেন	জেন
ৰজনী	ৰযনি
আয়ু	আউ
মই	মঞি
উপৰত	উৱৰত
ওজা	ৱোজা
ওভোতাই	ৱোভোতাই
মুখ্য	মুক্ষ
করুণ	করুন
দশ	দষ
প্ৰশ্ন	প্ৰষ্ন
পাশ	পাষ
উপদেশ	উপদেষ
নৈৰাশ	নৈৰাষ
দৰশন	দৰষন
নিশবদ	নিষবদ
আশয়	আষয়
শীল	সিল
শীঘ্ৰে	সিঘ্ৰে
শতপদগণে	সটপদগনে
শিৰে	সিৰে
সদাশিৱ	সদাসিৱ
স্নান	ষ্নান
অসন্তোষ	অষন্তোষ
হাস্য	হাষ্য
সুপ্ৰসন্ন	সুপ্ৰষন্ন
পুৰিব	পুড়িবে
সিধান্ত	সিধান্ত
বুদ্ধি	বুধি
ইচ্ছা	ইচা
দেখি	পেখি
বদন	বয়ন

এইবোৰৰ উপৰিও পুথিখানিত আৰু কিছুমান শব্দ আছে; সেইবোৰৰ পৰিবৰ্ত্তে বৰ্ত্তমানৰ প্ৰচলিত শব্দৰ তুলনামূলক তালিকা এটা তলত দিয়া হল।

বৰ্ত্তমানৰ প্ৰচলিত শব্দ	পুথিৰ শব্দ
গৃহলৈ	গৃহক
আহতগুৰিলৈ	আহতগুৰিক
আমাৰ, আমালোকৰ	আমাঠেৰ
তিৰোতা, ছোৱালী	আপি
জী, ছোৱালী	ঝিৱ
ইতে	আহুনে
লৰা	আপা
আৰু	আৰো, আৰ
ওৰে ৰাতি	সাৰা (চাৰা) ৰাতি
জনী	জনা
শুকাই	সুখায়া
গৈ	যাই, জাই
বায়	বাৱে
খোজ নাকাঢ়ে	নুবুলে

পুথিখানিত 'অসম'ক বুজাবলৈ 'অচম', 'আহোম'ক বুজাবলৈ আষম', 'কাষে' অৰ্থ বুজাবলৈ 'কাচে' আৰু 'চাৰা ৰাতি' বুজাবলৈ 'সাৰা ৰাতি' লিখা পোৱা যায়। ইয়াৰপৰা সেই সময়ৰ অসমীয়া ভাষাৰ উচ্চাৰণৰ নিয়ম স্থিৰ কৰাত কিবা সহায় পোৱা যাব পাৰে।

মুঠতে সুধীসকলৰ সুদৃষ্টিত ফেলাবৰ মতলবেহে অতি সংক্ষেপে এই কথাখিনি প্ৰকাশ কৰা গল। এনেকুৱা পুথিবোৰৰ ওপৰতেই আমাৰ ভাষাৰ ভেটিৰ সৃষ্টি হৈছিল।

বিধবাৰ দান

—চাহ চৈয়দ হাছান আলি

গল্প—

—এক—

তিনি সন্তানৰ মাক হৈ ৰুফন বিধবা হল। এপিডেমিক ৰাক্ষসৰ ক্ষুধাৰ্ত্ত উদৰৰ কাৰণে স্বামীক যেতিয়া দান দি ৰুফনে চকুপানী টুকিছিল, তেতিয়া তেওঁৰ পোৱা বুকুত শান্তনা দিবলৈ থাকিল মাথো দুটি লৰা আৰু এজনী ছোৱালী। ছোৱালীজনী মাজু, নাম হাজেৰা। ভাইশহুৰেকহঁত আটাই কেইজন আগেয়ে বেলেগ হৈ গৈছে। লগত আছে কেৱল শাহুৱেক। শাহুৱেকে এতিয়া তেওঁৰ এই অসহায় অনাথ জীৱনৰ আশা ভাৰসাৰ স্থল। নিজৰ জীৱনলৈ তেওঁৰ কোনো চিন্তা নাই। চিন্তা কেৱল স্বামীৰ স্বৰ্গীয় দান এই কেঁচুৱা সন্তান কেইটিৰ মুখত কেনেকৈ টোপ যোগাই সিহঁতক তুলি-তালি ডাঙৰ দীঘল কৰে। বয়বস্তু, মাটি সম্পত্তিৰ একোটিৰে অভাৱ নাই; চলাই মিলাই খাব লাগে মাথোন। কিন্তু আজি সেই এজনৰ অভাৱত যেন সকলোবোৰ মিছা। সিজন থাকোঁতে তো একোৱে

অভাৱ নাছিল, নিৰাশা নাছিল। সদায় হাঁহিৰ ৰোলেৰে প্ৰধ্বনি হৈ থকা এই ঘৰখনি আজি এজনৰ অভাৱত নীৰৱ নিমাত। কিবা এটি ৰুক্ষভাৱে যেন গোটেই ঘৰখনি বিষাদময় কৰি তুলিছে।

মাটিবোৰ আধি দি, নানুহ লগাই বাৰীৰ তামোল-পাণ বেচি এই অসহায় পৰিয়ালে, ধৰিব গলে, এক ৰকম সুখতেই জীৱিকা নিৰ্ব্বাহ কৰিব ধৰিলে। ৰুফনে পাটপলু পুহি তাৰে এৰি-কাপোৰ বয়. এই কাপোৰ বেচি ৰজাঘৰৰ খাজনা দিয়ে। শাহুৱেকৰ সুবুদ্ধিত এই গৃহস্থালীখন আগৰ দৰে অলপো লৰচৰ নোহোৱাকৈ চলিব ধৰিলে। ৰুফনৰ ধৈৰ্য্যৰ গুণত আৰু বুদ্ধিত সকলোৰে প্ৰশংসাৰ দৃষ্টি পৰিল।

সেই দিনা আবেলি অস্তগামী সূৰ্য্যই সোণালী ৰং ছটিয়াই গছবন বিচিত্ৰ ৰঙ্গত ৰঞ্জিত কৰিছিল। স্বামীৰ বিয়োগ বেদনা বুকুৰ মাজত বহন কৰি ৰুফনে সেইদিনাৰ সেই অস্তগামী সূৰ্য্যৰ ফালে চাই চাই ভাবিছিল, মধুময় অতীত জীৱনৰ কথা। স্বামীৰ পুণ্য মূৰ্ত্তি মানস পটত ভাহি উঠা মাত্ৰকে তেওঁৰ দুয়োগালেদি দুধাৰি চকুলো বৈ গল। ভাবত তন্ময় হৈ তেওঁ এটি হুমুনিয়া কাঢ়িলে। হাজেৰাই মাকক এনেকৈ বহি থকা দেখি পাছফালৰ পৰা মনে মনে গৈ চকু দুটা মুদাই ধৰিলে। মাকৰ তন্ময়তা ভাগিল। হাতত থাপ মাৰি ধৰি "মোৰ লাহৰী আই" বুলি হাজেৰাৰ সৰু ৰাঙ্গলী গাল দুখনিত দুটা চুমা খাই ভিতৰলৈ লৈ গল।

—দুই—

আজি কালি কৰি ৰুফনে বিধবা জীৱনৰ বাৰ বছৰ কটালে। ডাঙ্গৰ লৰাটি জহুৰ চালাক চতুৰ হৈ উঠিল; অলপ লিখাপঢ়াও শিকিলে। এতিয়া তাৰ বয়স পোন্ধৰ বছৰ। সিয়েই মাকৰ সকলো আশা-ভাৰসাৰ স্থল হৈ সংসাৰৰ কামত প্ৰবৃত্ত হল। হাজেৰাও বাৰ বছৰৰ ডেওনাখনি পাৰ হৈ গাভৰু হল। তাই মাকৰ সোঁহাত স্বৰূপ। আধাফুলা গোলাপ পাহিটিৰ দৰে তাইৰ হাঁহিভৰা মুখখনি দেখি মাকৰ মনত কত ৰং লগতে অলপ বিষাদো লাগে। সুন্দৰী হলেই বা কি হল! তাই বিধবাৰ ছোৱালী। বিধবাৰ ছোৱালীক কোন ভাল মানুহে ফিৰি চায়? হাজেৰাক অতি সোনকালে উলিয়াই দিব লাগিব এই চিন্তা মনলৈ নহাকৈ নাছিল। মাকে অতি যত্নেৰে হাজেৰাক ঘৰুৱা সকলো কামতে পাৰ্গত কৰি তুলিলে। ৰন্ধা বঢ়া, বোৱা কটা, বিশেষকৈ কাপোৰত ধুনীয়া ফুল তুলিব পাৰে বুলি তাই সকলোৰে চকুত লগা হৈ উঠিল। সৰু লৰাটি ফায়েজ, এতিয়া পাঠশালালৈ অহাযোৱা কৰে। বিধবা জীৱনৰ কত হুমুনিয়া, কত নিৰাশাৰ বিভীষিকাময় ছবি আঁতৰি গৈ ৰুফনৰ জীৱন আকাশত এটি সুখৰ এটি অনাবিল স্বৰ্গীয় আনন্দ-দৃশ্য প্ৰতিভাত হবলৈ ধৰিলে।

যোৱা সোমবাৰৰ পৰা হাজেৰাৰ নেৰানেপেৰা জ্বৰ। আজি তিনিদিন হল একোতেই এৰা নাই। ৰুফনৰ পেটত ভাত নাই, চকুত টোপনি নাই। চেনেহৰ একেজনী জী হাজেৰাৰ জ্বৰত পাণ্ডুবৰণীয়া শেঁতা মুখখনি চকুত পৰিলে মাকৰ দুয়োগালেদি দুধাৰি চকুলো বৈ যায়। আগুৰাণৰ লোচেৰে চকুপানী মচি মচি হাজেৰাৰ কপালত কাপোৰৰ পটি চেঁচা পানীত তিয়াই বান্ধি দিছে। মাকে মৰমেৰে সোধে, "মাই কি খাবি?" হাজেৰাই মাতিব নোৱাৰে। তাইৰ অণ্ঠ-কণ্ঠ যেন শুকাই গৈছে। মাকে চামোচেৰে মুখত পানী দিছে, তাকে কোনোমতে খাইছে।

তিনি দিনৰ পিছত ডাক্তৰ আহিল হাজেৰাৰ বেমাৰৰ বাতৰি পাই। তেওঁ হাজেৰাৰ মুখৰ ফালে চাই মনে মনে কলে, "কেনে ধুনীয়া ছোৱালীজনী! জ্বৰৰ কষ্টতে মুখখানি শেতা পৰি গৈছে।" দৰৱ দিলে। দৰৱৰ গুণত, ডাক্তৰৰ সুপৰামৰ্শমতে পৰিচৰ্য্যাত, হাজেৰা ভাল হবলৈ ধৰিলে। লাহে লাহে জ্বৰতে সৰি যোৱা মূৰৰ চুলিবোৰ আহিল। আগৰ দৰে হাজেৰাৰ শৰীৰৰ সকলো অঙ্গতে ধীৰ লাৱণ্যৰ প্ৰতিভাই ঢৌ খেলিবলৈ ধৰিলে। ই যেন ক্ৰমে আগতকৈও বেছি।

এদিন আন ৰোগীৰ উদ্দেশ্যে যাওঁতে ডাক্তৰ হাজেৰা হঁতৰ ঘৰত উপস্থিত হল। হাজেৰাৰ মাকে কত

সম্ভ্ৰমেৰে আল ধৰিলে, তেওঁৰ জীয়েকৰ জীৱনদাতা সাক্ষাৎ ফেৰেস্তা (দেৱদূত) যেন এই ডাক্তৰক। শৰাই এখনত তামোল-পাণ, এখন খনীয়া কাপোৰ, টকা দহোটা সুন্দৰকৈ সজাই উপঢৌকন স্বৰূপে আনি তেওঁৰ আগত থৈ হাজেৰা ভিতৰলৈ লৰ মাৰিলে। হাজেৰাৰ মাক ওচৰত বহি আছিল। ডাক্তৰে মাকক কলে, "মই এইবোৰ হাতেৰেই নোছোঁ। মোক কিন্তু ইয়াৰ বাবে তোমাৰ অতি মৰমৰ এটি বস্তু দান কৰিব লাগিব।" হাজেৰাৰ মাকে কলে, "মোৰ কিনো আছে, কি দিম?" বুলি এটি হুমুনিয়া কাঢ়িলে। ডাক্তৰে কলে, "খোদাই কৰোতে তোমাৰ একো-ৰেই অভাৱ নাই। মই যি বস্তুলৈ অভিপ্ৰায় কৰি এই কথা কৈছো, সেই বস্তুটি হৈছে তোমাৰ হাজেৰা। হাজেৰাক মোৰ ডাঙ্গৰ লৰটিলৈ দান দিব লাগিব।" বুলিয়েই তেওঁ ঘপহকৰে উঠি আন এঘৰলৈ গুচি গ'ল। হাজেৰাৰ মাকে ডাক্তৰৰ এনে মহৎ অন্তঃকৰণৰ প্ৰতি ধন্যবাদ দিলে। হৃদয়ৰ সমস্ত ভক্তি শ্ৰদ্ধা অৰ্পণ কৰি খোদাক স্মৰণ কৰি কলে, "হে পৰম পিতা! কৰুণাময়! তুমি যেন এই মনোবাঞ্ছা পূৰ্ণ কৰা। বাছাৰ যেন সুখৰ সংসাৰ দেখি মৰিবলৈ পাওঁ।" হাজেৰাৰ ভবিষ্য জীৱনৰ কিবা এটি সুখৰ কথা ভাবি মাক আনন্দত আত্মহাৰা হল।

—তিনি—

ডাক্তৰজন মোৰ বাবাজান (দেউতা)। কলেজৰ বন্ধত ঘৰলৈ আহিছিলো। পিছদিনা সৰু ভনীজনী আহি, আনুপূৰ্ব্বিক ঘটনাৰ লগতে কলে, "এইবাৰ ভাই চাহেবৰ বিয়াত ভালকৈ ধেমালি কৰিম। আৰু গাত মাহ হালধি ঘহিছে এৰিম।" এইবোৰ প্ৰথা আমাৰ সমাজত যদিও প্ৰচলিত নাই তথাপি সৰু সৰু লৰা-ছোৱালীবোৰে দৰাৰ ডিঙিত শামুকৰ মালা আঁৰিহে এৰে। এজনী বিধবাৰ ছোৱালী নাম হাজেৰা; ইফালে গাৱঁলীয়া অশিক্ষিতা, তাৰে লগত মোৰ বিয়া! মনৰ কল্পনাৰ ঠিক বিপৰীতে মইনাৰ কথা শুনি অভিমানত অন্তৰ জ্বলি উঠিল। "চুপ্ চুপ্, ইয়াৰপৰা বাহিৰ হ।" বুলি মই থকা কোঠালীৰ পৰা তাইক উলিয়াই দি দুৱাৰ মাৰি শুই পৰিলো। তাই সৰু ছল্‌ছলীয়া চকুযুৰিৰ নীৰৱ ভাষাত যেন "বাৰু" বুলি কৈ গুচি গ'ল। কলেজীয়া ছাত্ৰ মই। হৃদয়ত কত সুখছবিৰ সমাবেশ, অন্তৰত কত আশা, প্ৰাণত কত তৃপ্তি সকলোকে এৰি. অশিক্ষিতা এজনী গাৱঁলীয়া ছোৱালীয়ে মোৰ হিয়া জয় কৰিব পাৰিব নে, এই প্ৰশ্নৰ সমাধান কৰোতে মোৰ টোপনি আহিল। আবেলি চাৰিবজাত শুই উঠি জলপান খাই নদীৰ পাৰৰ ফালে ফুৰিবলৈ গলো। বাটতে বন্ধু মুজিবক লগ পালো। সি মাত লগাই কলে, "কিহে তোমাৰ বিয়ালৈ নিমন্ত্ৰণ নিদিয়ানে?" "দুষ্ট" বুলি মুখ ফিৰাই খং-হাঁহি মাৰি গুচি গলো। সি কিন্তু নেৰিলে। পাছে পাছে আহি মোৰ লগতে যাবলৈ ধৰিলে। সি আকৌ দুষ্টামিভৰা হাঁহিৰে কলে, "তোমাৰ বিয়াত মই এটি কবিতা লিখি "প্ৰীতি-উপহাৰ" যাচিম। হাজেৰা খাতুনকে সপৰিবাৰে গ্ৰহণ কৰিবা দেই।" তাৰ এই দুষ্টালিত আকৌ এক ঢকা মাৰিলো সি সৈমান হৈ যাবলৈ ধৰিলে। গধূলি ফিৰি আহিলো। ৰাতি ভাতপানী খাই শুই থাকিলো। শুবৰ সময়ত মইনা আৰু মুজিবে কোৱা হাজেৰাৰ কথা মনত পৰিল। কত চাফাউন্নিচা, মেহেৰুন্নিচা, আনোৱাৰা, নুৰজাহান নামৰ সলনি হাজেৰা, জোলেখা। কত শিক্ষিতা অপৰূপ সুন্দৰী বঙ্কিমনয়না মনোমোহিনী কন্যাৰ সলনি এই অশিক্ষিতা, এই অলগৰ্দ্ধ হোজা গাৱঁলীয়া ছোৱালী! মাকো বিধবা। যৌতুকত বা কি সম্পত্তিডাল দিব! তাতে আকৌ বাবাজানৰ পৰিছে "নেক নজৰ"। বাবাজানলৈ অন্তৰে অন্তৰে অভিমান হল। ভাবিলো, এনে ঠাইত মই বিয়া হবলৈ নিদিওঁ। লাগিলে বাবাজানৰ বিৰুদ্ধে চলিম। কিন্তু অলক্ষিতে নিয়তিয়ে হাঁহিছিল নেকি কব নোৱাৰো। অন্তৰৰ দুৰ্ব্বলতাই যেন কৈ উঠিল "বাৰু"। শুই পৰিলো। টোপনিত অচেতন।

ৰাতিপুৱা বাবাজানে কলে, "চিৰাজৰ ঘৰত মোৰ ঔষধৰ চুট্‌কেচ্‌টো কালি অসুবিধা হোৱা গতিকে এৰি থৈ আহিলো। তই মাণিকক লগত লৈ তাৰ হাততে পঠিয়াই দেগৈ। সিহঁতে তোক মাতিও পঠিয়াইছে।" মাণিক আমাৰে চাকৰলৰা, চিৰাজ

সম্বন্ধত মোৰ ককাইদেউ। তেওঁৰ ঘৰ আমাৰ পৰা পাঁচমাইল দূৰৈত, কমলপুৰত।

ককাইদেউৰ ঘৰলৈ গৈ মাণিকৰ হাতত চুট্‌কেচটো পঠিয়াই দি মই সিবিলাকৰ অতিথি হলো। থাই-বই উঠিলো। ককাইদেউ কামলৈ গ'ল। বউটীয়ে সুধিলে, "কিহে চফল ডেকা! তোমাৰ বিয়াখন কেতিয়া চাবলৈ পাম?" মই কলো, "মোৰ ছাত্ৰজীৱনৰ অন্তত যেতিয়া নিজে এটি জীৱিকাৰ পথ কৰি লব পাৰিম, তেতিয়া।" "তোমাৰ বলিয়ালি থোৱা। সোনকালে বিয়াখন হলেই আমি ৰঙ্গেৰে চাব পাৰো।" বুলি কাৰ উদ্দেশ্যে জানো বাহিৰলৈ গল। খিৰিকিমুখেদি চকু ফুৰাই দেখিলো, এখন গৰুগাড়ীৰ পৰা নামি দুগৰাকী তিৰোতা মানুহ মূৰত ওৰণি লৈ তেওঁবিলাকৰ ঘৰ সোমাল। প্ৰায় দুঘণ্টামানৰ পিছত কোলাত কেঁচুৱা দুবছৰীয়া লৰা ৰফিকক লৈ বউটী মোৰ ওচৰত উপস্থিত হল। মই ৰফিকক কোলাত লৈ দুয়ো গালে দুটা চুমা খাই "তেওঁলোক কোন?" বুলি বউটীক সুধিলো। বউটীয়ে কলে, "মোৰ মাহীদেউ আৰু তেওঁৰ জীয়েকজনী।" বেছি কথা কলে তেওঁ আকৌ বিয়াৰ কথা উলিয়াব বুলি ইচ্ছা থকা স্বত্বেও আৰু কথা নকলো। বউটী ৰফিকক এৰি গুচি গল।

এগৰাকী আলহী আৰু বউটীয়ে মোৰ ওচৰৰ কোঠালীত ফুচফুচাই কথা পতা মোৰ কাণত পৰিল। দুবাৰ মান মোৰ নামো যেন অস্পষ্টকৈ শুনিব পালো। ভাবিলো বোধ হয় মোৰে পৰিচয় সুধিছে। মাত কথাৰ পৰা বুজিলো সিজনা বউটীৰ মাহীয়েক। ঠিক এনে সময়তে ৰফিক কান্দি উঠিল। মাকে কলে, "অ' লাহৰী! ফুলক ইয়ালৈ লৈ আহাচোন।" মই থকা কোঠালীৰ দুৱাৰমুখৰ পৰা চৰণৰ নূপুৰ ধ্বনিৰে আহি লাহৰী উভতি গল। মই বুজিলো লাহৰী বউটীৰ মাহীয়েকৰে জীয়েক, মোক দেখি লাজতে ফিৰি গ'ল। বউটীয়ে কলে, "যা, একো লাজ নাই। তেওঁ ভিনীহিয়েৰৰ পেহীয়েকৰ পুতেক। আমাৰ ঘৰৰে যা।"

লাহে লাহে লাহৰী সোমাই আহিল। নধৰ অধৰত মিচিকিয়া হাঁহি লৈ ৰফিকৰ ফালে হাত আগবঢ়াই দি কলে, "আহ ফুল।" ৰফিক লাহৰীৰ কোলাত উঠিলগৈ। লাহৰী সাউৎকৰে ওলাই গুচি গল। মই তন্ময় হৈ ৰলো। লাহৰী সোমাই আহোঁতে মোৰ চকুৱে-চকুৱে পৰিছিল। মনতে ভাবিলো, কি সুন্দৰ, লাহৰীৰ মুখখনি কি সুন্দৰ, চকুজুৰি কেনে ধুনীয়া! মোৰ পক্ষে ই ডেকা কালৰ স্বাভাৱিক অন্তৰৰ দুৰ্ব্বলতা নেকি? নহয়। লাহৰী সঁচাকৈয়ে ধুনীয়া। কবিকল্পনাই এনে মুখছবি আঁকিব নোৱাৰে। মাধুৰ্য্য আৰু উজ্জ্বলতাৰ এনে মধুৰ সমাবেশ আগেয়ে তো মোৰ চকুত পৰা নাছিল। পৰিছিল বুলি যে ভাবিবই নোৱাৰো। মনত নানা ভাবৰ উদয় হল। পাহৰি গলো, "অশিক্ষিতা গাৱঁলীয়া ছোৱালী।" আকৌ ভাবিলো, এনে ধুনীয়া ছোৱালী বিলাবে যদি অন্ততঃ অলপ লিখাপঢ়া শিকি জীৱনৰ স্বৰূপ নো কি বুজিব পাৰিলেহেতেন তেন্তে তাহাঁতৰ জীৱন কেনে সুখৰ, কেনে ধন্য হলহেঁতেন! এবাৰ ভাবিলো, আমাৰ নিচিনা শিক্ষিত ডেকাৰ নো আৱশ্যকতা কি, যদি গাৱঁলীয়া জীৱনৰ কুসংস্কাৰৰ মূৰত কুঠাৰেৰে আঘাত কৰি এই দুৰ্ব্বিসহ অভিশাপ সমাজব্যাধি আঁতৰাই ঘৰে ঘৰে শিক্ষাৰদ্বাৰা আদৰ্শ মাতৃজীৱন গঢ়ি তুলিব নোৱাৰো? মনতে প্ৰতিজ্ঞা কৰিলো "এই গাৱঁলীয়া সমাজৰ সংকীৰ্ণতা ঠেলি, অজ্ঞ নাৰীসমাজৰ অন্তৰত শিক্ষাৰ বিজুলী প্ৰৱাহ বোৱাই দিয়াটোৱেই আজিৰপৰা মোৰ জীৱনৰ কাম্য হল। নিজৰ শক্তি অনুযায়ী জননী জন্মভূমিৰ সেৱা কৰিম।

ঘৰলৈ যাবৰ সময়ত বউটীক মাত লগাবলৈ ভিতৰলৈ গলো। বউটীৰ মাহীয়েকে মোৰ ফালে সতৃষ্ণনয়নে চাবলৈ ধৰিলে। আশীৰ্ব্বাদ কৰিলে প্ৰাণ ভৰি নিজৰে পুতেকৰ দৰে, মই যেন সংসাৰত উন্নতি কৰি বংশৰ পবিত্ৰ নামত গৌৰৱৰ অঙ্গভূষণ পৰিধান কৰো। ভিতৰৰ ফালে চাই দেখিলো পৰ্দ্দাৰ আঁৰত গা লুকোৱা লাহৰীৰ চকুযুৰি। দৃষ্টি নম্ৰ কৰি ভিতৰৰ পৰা বিদায় লৈ ঘৰমুৱা হলো। ভাগ্যে বউটীয়ে ৰাতি থাকা বুলি নকলে। নহলে মই যোৱাটো অৱশ্যে টান

হলহেঁতেন। বাটত মনত পৰিছিল, লাহৰীৰ সেই মুখখনিৰ এটি অনাবিল স্মৃতি,—ধুনীয়া ছবি। লগে লগে তেওঁৰ স্মৃতিৰ মূৰ্ত্তিটিয়ে যেন কৈ গ'ল, "হে পূজনীয়! নাৰীৰ সুপ্ত শক্তি জাগ্ৰত কৰা, জাগ্ৰত কৰা।"

—চাৰি—

বন্ধৰ শেষত কলেজলৈ গলোঁ। সদায় মনত পৰে লাহৰীৰ মুখৰ ছবিটি। তেওঁ যেন কয়, "হে পূজনীয়! নাৰীৰ সুপ্ত শক্তি জাগ্ৰত কৰা, জাগ্ৰত কৰা।" স্কুলীয়া ছাত্ৰ মই, মোৰ কি শক্তি আছে যে এনে এটি দুৰূহ কামলৈ আগবাঢ়ো। হাতত কাপ ললোঁ। বিশেষকৈ মুছলমান সমাজক লক্ষ্য কৰি বহু সাময়িক আলোচনী কাকতত প্ৰবন্ধ লিখিলো "নাৰী জাগৰণ"। মোৰ প্ৰবন্ধৰ সুৰতে সুৰ মিলাই আৰু বহুতে সেই বিষয়ে আলোচনা কৰিব ধৰিলে। প্ৰায় এবছৰ এইদৰে গ'ল। লাহে লাহে বাস্তৱ জীৱনত প্ৰতিফলিত হল মোৰ সেই ইপ্সিত নাৰী জাগৰণ। ঠায়ে ঠায়ে পৰ্দ্দাৰ নিকপ্‌কপীয়া বান্ধ দলিয়াই মহিলা সভা-সমিতি বহিব ধৰিলে। ক্ৰমে গাৱেঁভূঞে বিদ্যালয়ো স্থাপন কৰিলে। ধৰুৱা শিল্পাদিৰ চৰ্চ্চা হবলৈ ধৰিলে। পত্ৰিকাৰ সম্পাদক সকলৰ পৰা সেই বিষয়ে আলোচনা কৰিবলৈ নানা উদ্গণি আৰু শলাগপূৰ্ণ চিঠি পত্ৰ পাবলৈ ধৰিলো। দুই এখন সভা সমিতিত পাঠ কৰিবলৈ প্ৰবন্ধ বিচাৰি বহুত সভা সমিতিৰ সম্পাদক-সম্পাদিকাই চিঠি পত্ৰ লিখিব ধৰিলে। সকলোকে পাৰ্য্যমানে সহায় কৰি আহিলো। দুই এখন সভাত মোক সভাপতিৰ আসনো যাচিছিল। মই কিন্তু মোৰ ক্ষুদ্ৰত্বৰ কথা জানি, ছাত্ৰজীৱনৰ বাধা বিঘিনি দেখুৱাই তাৰ হাত সাৰি আছিলো। মোৰ নিচিনা সামান্য এজনৰ পক্ষে ইয়াতকৈ গৌৰৱৰ বিষয় আৰু কি আছে? কিন্তু ইমান ডাঙৰ গৌৰৱৰ জয়মুকুট পিন্ধিবলৈ, লোকৰ শ্ৰদ্ধাভক্তি আকৰ্ষণ কৰিবলৈ অন্তৰত বল দিছিল লাহৰীৰ সেই মুখৰ ছবিটিয়ে আৰু অন্তৰৰ নীৰৱ আৱাহনে।

—পাঁচ—

এনেকৈ দুবছৰ গল। লগে লগে ছাত্ৰজীৱনৰো অন্ত পৰিল। বি, এ, ডিগ্ৰিধাৰী যুৱক। আত্মগৌৰৱ ৰক্ষা কৰিবলৈ কোনো চাকৰি নকৰো বুলি প্ৰতিজ্ঞা কৰিলো। লোকৰ মনত যিমান নিকৃষ্ট হয় হ'ক মই স্বাধীন ব্যৱসায়হে কৰিম। প্ৰথমতে বাবাজানে হাক দিছিল। শেষত মোৰ মনৰ প্ৰবল গতিত তেওঁ কোনো বাধা নিদিলে। সেই উদ্দেশ্য কৰি কেইজনমান মুচী গোটাই লৈ এটি শ্বু-ফেক্টৰী স্থাপন কৰিলো। লাহে লাহে কাৰবাৰৰ সফলতাই দেখা দিলে। দিনে দিনে কাৰবাৰ আহল বহল হবলৈ ধৰিলে। শিক্ষিত ডেকাৰ এনে স্বাৱলন স্বাধীন ব্যৱসায়ৰ প্ৰশংসা-ধ্বনি কাকতে-পত্ৰে বাহিৰ হ'ল।

ইমান দিনে পঢ়াৰ নাম লৈয়েই অতি উজুহাতেৰে বিবাহ বান্ধোনৰ পৰা হাত সাৰি আহিছিলো। এতিয়া আপত্তি কৰিলে সকলোৱে দেখোন টেটুত চেপা দিব খোজে। বৰ বিমোৰত পৰিলো। কি কৰিম? পাত্ৰী তো জনা আছেই—সেই হাজেৰা। পিতা মাতাৰ বিৰুদ্ধে যাওঁ কেনেকৈ? সেই দেখিহে ইমান দিনেও তেওঁলোকৰ প্ৰতি 'টু' শব্দটিকে কৰা নাই। শুনিছিলো হাজেৰাৰ ৰূপৰ জোখাৰে গুণো আছে। নাই লিখাপঢ়া বিদ্যাফেৰা। এবাৰ ভাবিলো লাহৰীৰ দৰে ছোৱালী হলে আপত্তি কি? অলপ লিখাপঢ়া নহয় নিজেই শিকাই লম। কিন্তু লাহৰীৰ, সেই মানস-প্ৰতিমাৰ, মধুৰ ছবিখনি ত্যাগ কৰি হাজেৰাৰ লগত বিয়া! যাক সপোনতো এদিন দেখা নাই, তেওঁৰ লগতে চিৰ-জীৱন অতিবাহিত কৰিব লাগিব। অথচ সমাজৰ বান্ধ, বিয়াৰ আগতে দৰাকন্যাৰ দেখাদেখি হব নোৱাৰে। যদিও যুগধৰ্ম্মৰ প্ৰভাৱত এই বান্ধ কট্‌কটীয়া হৈ থকা নাই, তথাপি মোৰ নিচিনা লাজকুৰীয়াৰ পক্ষে চুৰকৈ বা বেশছন কৰি লোকৰ ছোৱালী জুপি চোৱা একেবাৰে অসম্ভৱ। এনেকি যি লাহৰীৰ মুখৰ ছবি মোৰ সমুখত ভাহি উঠে তেওঁ বিবাহিত নে অবিবাহিত, তেওঁলোকৰ ঘৰ কোন ঠাইত তাকে মই কাকো লাজতে সুধিব পৰা নাই। সেইদেখিহে বুঢ়ী আয়ে মাতে, 'আমাৰ লাজকুৰীয়া'। কি কৰিম? যদি বিজুলীৰ নিচিনা

ছয়াময়াকৈও হাজেৰাৰ ছবিখনি এবাৰ চকুত পৰিল হেতেন, যদি তেওঁক এটিবাৰো দেখিলোহেতেন তেন্তে একো আপত্তি নাছিল। কিন্তু যাক এদিনো দেখা নাই-- কি কৰো? ভাবি অস্থিৰ! ইফালে পিতা মাতাৰ বচনো অলঙ্ঘনীয়। কিবা বিশেষ কামত গৈ চিৰাজ ককাইটিৰ ঘৰত উপস্থিত হলো। বউটীয়ে কলে, "এইবাৰ তুমি বিয়াত অসম্মত হলে নচলিব। বিয়া কৰি সংসাৰী হবই লাগিব।" মই জানো যদিও কলো, "কাৰ লগত?" তেওঁ কলে, "তোমাৰ 'মানস-প্ৰতিমা' কবিতাৰ অধিষ্ঠাত্ৰী লাহৰীৰ লগত। যিদিনা লাহৰীৰ লগত তোমাৰ প্ৰথম দেখাদেখি হয়, মই তোমাৰ ভাব লক্ষ্য কৰা নাছিলো বুলি ভাবা নে? তাৰ পিছত 'মিলন'ত যে 'মানস প্ৰতিমা' নামৰ কবিতা প্ৰকাশ কৰিছিলা। মই তোমাৰ ঘৰত কৈ সকলোকে মঞ্জুৰ কৰিম।" সকলো সঁচা কথা। মোৰ অন্তৰৰ সকলো দুৰ্ব্বলতা ধৰিব পাৰিছে এই নাৰীয়ে। তেওঁৰওচৰত পৰাজয় মানিলো। বোধ হয় তেওঁ মোৰ বিয়াৰ বিষয়ে একো শুনাও নাছিল। কাৰণ তেতিয়াও মোৰ আপত্তি বিদ্যমান আছিল। আৰু সেই আপত্তি কেনেবাকৈ কইনা ঘৰৰ কাৰাবাৰ কাণত পৰে বুলি পিতামাতাই সকলো কথা অলপ সাৱধানেৰে গোপনে ৰাখিছিল। তেতিয়া এইটোও বুজিলো যে লাহৰী অবিবাহিত। মনটোৰ ভিতৰত কিবা এটি ভাবৰ ঢৌ খেলি গ'ল। সকলো ভাব সংগোপন কৰি বউটীক কলো, "বউটি! তুমি শুনা নাইনে, কছকৰা গাওঁৰ কোনোবা হাজেৰা নামে ছোৱালী এজনীৰ লগত মোৰ বিয়াৰ সম্বন্ধ পাতিছে? কিন্তু মই নেদেখাৰ কাৰণে নানা আপত্তি কৰি আছো দেখিহে মোৰ বিয়াৰ কাৰণে ইমান পলম হৈছে। বাৰু, তোমাৰ যদি বিয়া চাবৰ ইমান হেঁপাহ হৈছে, তেন্তে এবাৰ "হাজেৰাক" চাই আহাগৈচোন।" বউটীয়ে কিবা যেন কওঁ বোলা ভাব গোপন কৰি কলে, "তুমি পিতা-মাতাৰ কথা পেলাব নোৱাৰা। মই ছোৱালী চাবলৈ নাযাওঁ। তুমি তোমাৰ পিতা মাতাৰ ইচ্ছা পূৰ্ণ কৰিবই লাগিব। তোমাৰ জীৱন সুখৰ হব বুলিয়েই তো পিতা মাতাই এনে সম্বন্ধ কৰিবলৈ বিচাৰিছে।" বুলি তেওঁ হাঁহিবলৈ ধৰিলে। মই কলো "ইমানকৈ হাঁহিছা কেলেই? কোৱাচোন এতিয়া মই কি কৰো। পিতা মাতাৰ মতে যদি তোমাৰো মত, তেন্তে তাক পূৰ্ণ কৰিবলৈ মই বাধ্য, অৰ্থাৎ মই বিয়াত সম্মতি প্ৰকাশ কৰিম।" বউটীয়ে হাঁহি হাঁহি কলে, "তাকে কৰা। আজি ইমান দিন আশা পালি যে তোমাৰ বিয়াখন চাবলৈ পাম, তাকে ভাবি মই ইমানকৈ হাঁহিছো।"

—ছয়—

ফাগুন মাহৰ ২২ তাৰিখে মোৰ বিয়াৰ দিন ধাৰ্য্য কৰা হল। ইষ্ট-কুটুম্ববোৰ আহি বিয়াৰ তিনি চাৰিদিন আগৰে পৰা গোটেই ঘৰখনত খলক লগালে। আনন্দৰ উৰুলি, হৰষৰ হাঁহিয়ে মোৰ কাণত তাল মাৰি ধৰিলে। পেটে পেটে বৰ খং উঠিছিল যদিও, জোৰা নাম গীত গায় বুলি ভাল দৰাটি হৈ মনে মনে বহি থাকিলো। ভনীটী মইনাৰ উপদ্ৰৱ সবাতকৈ চৰা। তাইলৈ পেটে পেটে খং উঠিছিল যদিও কি কৰিম। ভিতৰৰ পৰা গাভৰুসকলৰ গীতৰ প্ৰতিধ্বনি শুনা গৈছিল, "আমাৰে বোপাটি, সি বৰো কাজিকৰ", "গা ধুই উঠিলা, বৌৱেকক সুধিলা, বউ মই কি কাপোৰ পিন্ধো," "দুলীয়াই যতনে, দোলাখন সজালে," "যায় দানুচ, বতাহতে উৰি" আদি কত ধৰণৰ। জোৰা নামো যে নাগাইছিল এনে নহয়। সেইবোৰ "তেহিনাই কৈছিলা, হে মোৰে বোপাটি,নকৰাওঁ হাজেৰাক বিয়া," "কি বৰ ফুটনি, মাৰিছা বোপাটি" ইত্যাদি। এই গীতবোৰৰ প্ৰধান ওস্তাদ বিৰাজ ককাইটিৰ পৰিয়াল বউটী। বুঢ়া সমাজৰ পৰা গীত গোৱা বিষয়ে নানা আপত্তি উঠিছিল। অৱশেষত ভিতৰৰ পৰা কলে যে, সৰু সৰু কেইজনীমান ছোৱালীয়েহে গাইছে। তাইহতে কথা নুশুনে। মই সেই কেইদিন ভিতৰলৈ যোৱা নাই। প্ৰধান কাৰণ লাজ। তদুপৰি গাওঁ ভূঁইৰ জীয়াৰী বোৱাৰীসকলৰ উপদ্ৰৱ। গলে জানো মুখত ছাই কাজল নঘঁহাকৈ থাকিব? বাহিৰৰ পৰা বউটীক মাতি পঠিয়ালেও তেওঁ দেখা নিদিয়ে। নিৰুপায় হৈ সকলো অত্যাচাৰ সহি থাকিলো।

আজি বিয়াৰ দিন। সকলো কাম মহাপয়োভৰেৰে সমাধা হৈছে। কিন্তু মোৰ মনত আনন্দ নাই। কিবা এটি বিষাদ ভাবে হিয়া অধিকাৰ কৰিছে। সেই ভাব আন একো নহয়। যাক জীৱনৰ চিৰ-লগৰীয়া কৰি লম, তেওঁ জানো মোৰ মনোমত হব? অৱশ্যে যাক জীৱনৰ চিৰসঙ্গিনী কৰি লম, তেওঁ কিবা বিষয়ত অযোগ্য বা অনুপযুক্ত হলেও, মনোমত কৰি গঢ়ি তুলিবই লাগিব। হাজেৰাৰ ৰূপ আৰু গুণৰ সুখ্যাতিও শুনিছো। নাই কিন্তু মোৰ মনে বিচৰা অৱস্থা লিখাপঢ়া বিদ্যাফেৰা। ভাবিলো যি হ'ক, মোৰ জীৱনৰ সাৰ্থকতাৰে তাইৰ জীৱনো পোহৰ কৰি তুলিম। কিন্তু তেওঁ যদি মই দেখা লাহৰীৰ নিচিনা হলহেঁতেন, তেন্তে মোক আৰু তাতকৈ একো বেছি নালাগে। হ'ক তেওঁ বিধবাৰ জীয়ৰী। মই সেইদৰে যদি তাইক মোৰ মনোমত কৰি গঢ়ি তুলিব পাৰো, তেন্তে মোৰ জীৱনত সিও এটি পৰম গৌৰৱ। সিবিলাকেও অৰ্থাৎ হাজেৰাৰ মাক-ককায়েকেও মোৰ দৰে পাত্ৰত তেওঁলোকৰ একমাথো চেনেহৰ কন্যাক অৰ্পণ কৰি প্ৰাণত তৃপ্তি পাব। ইমানবোৰ কথা ভাবিও লাহৰীৰ মুখৰ ছবিটি পাহৰিব নোৱাৰিলো। লোকে মোৰ মনৰ ভাব যদি জানে, তেন্তে মোক কি বুলিব বুলি আত্ম-সম্বৰণ কৰিবলৈ যত্ন কৰি থাকিলো।

যাত্ৰাৰ সময় উপস্থিত। প্ৰীতি-উপহাৰৰ হুৰাহুৰি লাগিল। মুজিবেও সঁচাকৈ প্ৰীতি-উপহাৰৰ কবিতা লিখি দুয়োৰে নামত উছৰ্গা কৰিছে যেন মিলন বাসৰ সুখৰ হয়। যাবৰ সময়ত সকলোকে সেৱা জনালো। বউটীয়ে আশীৰ্ব্বাদৰ ছলে ডিঙ্গিত ফুলৰ মালা এধাৰি পিন্ধাই দি কলে,"লাহৰী হাজেৰা আহি বুকুৰ মাজত শোভা পাওক, মিলন জীৱন শাশ্বত সুন্দৰ হ'ক" বুলি এটি হাঁহি মাৰিলে। মই হলে হাঁহিৰ একো অৰ্থ নুবুজিলো। কিন্তু কাণত যেন বাজি উঠিল "লাহৰীয়ে হাজেৰা! লাহৰীয়ে হাজেৰা!"

যথাবিহিত বিবাহ কাৰ্য্য সমাধা হল। দৰা-কইনাৰ অন্তৰৰ ভাব বিনিময় কৰি মোল্লাই মন্ত্ৰ উচ্চাৰণ কৰিলে। হিন্দু আৰু মুছলমানৰ বিয়াৰ এইটো বিশেষ পাৰ্থক্য যে মুছলমানৰ মতে দৰা-কইনা তেতিয়াও দেখাদেখি হব নাপায়। বৰযাত্ৰী ফিৰিল।

—সাত—

আজি মিলন বাসৰ। জীৱন-বসন্তৰ মধুময় ৰজনী। ধৰ্ম্মবিধানমতে ফুলশয্যাৰ নিয়ম নাই যদিও এই সকলোবোৰ যোগাৰ কৰিলে বউটীয়ে আৰু সেই কাৰ্য্যত তেওঁৰ লগৰীয়া সৰু ভনী মইনা। ৰাতি খাই-বই শুবলৈ গলো। বউটীয়ে লজ্জাভৰণা, সুসজ্জিতা মোৰ জীৱন প্ৰতিমাক হাতত ধৰি ভিতৰলৈ লৈ আহিল। মই লাজতে তলমূৰ কৰিলো। বউটীয়ে দুয়োৰে হাত দুখন মিলাই দি কলে, "এই লোৱা যাৰ কাৰণে আশঙ্কাচিত্তে ইমান দিন ভাবি আছিলা তোমাৰ 'মানস-প্ৰতিমাৰ' অধিষ্ঠাত্ৰীজনী, মোৰ মাহীৰ একমাথো চেনেহৰ জীয়ৰী, আমাৰ লাহৰী, তোমাৰ জীৱন-সঙ্গিনী মাহী "বিধবাৰ দান" হাজেৰাই তোমাৰ বুকুৰ মাজত শোভা পাওক।" বুলি হাজেৰাৰ ওৰণি গুচাই দি অদৃশ্য হল। বিস্ময়-আপ্লুত, তন্ময় হৈ হাজেৰাৰ অনিন্দ্যসুন্দৰ মুখখনিৰ ফালে চাই দেখিলো, ই কি! এৱেঁই যে সেই লাহৰী! হাজেৰাই ওৰণি টানি সেৱা জনালে। মনত পৰিল প্ৰথমে যিদিনা হাজেৰাক বউটী হঁতৰ ঘৰত দেখিছিলো। বুজিলো পিছত বিয়াৰ কথাত হাজেৰাৰ নাম শুনি বউটীয়ে ভাব গোপন কৰি হঁহা, আৰু বিয়াৰ দিনা কাণত বাজি উঠা 'লাহৰীয়ে হাজেৰা" কথাৰ সাৰমৰ্ম্ম কি মনত পৰিল।

ৰৱৰকৰাৰ ফু

—শ্ৰীযুত কৃপাৰৰ ৰৱৰকৰা

ৰৱৰকৰাই আজি অতি মনযোগেৰে এখন পুৰণি পুথি পঢ়ি আছে। পুথিখন সাঁচিপাতত লেখা। পাতবোৰৰ দাঁতিবোৰ উৰলি গৈছে। এনেতে শ্ৰীযুত ধৰ্ম্মকণ্ঠ দাস ওলালহি।

ধৰ্ম্মকণ্ঠ। ৰৱৰকৰা ডাঙৰীয়াই আজি দেখোন দকৈ মন পুতি কিবা পুথি পঢ়ি আছে? আনদিনা হলে বহি ভাৰৰ বুৰুবণিহে তোলে।

ৰৱৰকৰাই মুৰ দাঙি চায়। "অ শ্ৰীযুত ধৰ্ম্মকণ্ঠ! তুমি আহিছা। ভাল হল বহা। মোৰ ওচৰতে বহা। বোলোঁ, মোৰ জীৱনত বুৰুবণি অনেক উঠিল, অনেক মৰিল। অগণন। কিন্তু কিছুমান বুৰুবণিৰ এনে লেকেটা জীৱ যে মৰিবই নোখোজে। আৰু বুৰুণিবোৰেও ৰৰ লাই পাই গৈছে। সেইদেখি সিঁইতক আৰু লাই দিয়া উচিত নহয়। উঠিলেই ফুৰাই মাৰিম বুলি ভাবিছোঁ। তুমি জিকাৰ মাৰি উঠিলা কিয়? তুমি ভয় নকৰিবা। তোমাৰ গাত হুদুৱাওঁ। আৰু ফুৰালে তুমি নমৰাও। ফুৰাই বধিম বুৰুবণিকহে। তাৰ উপৰি তুমি কৈবৰ্ত্ত। মোৰ আপোন মানুহ। মই সমাজিকত দেখিছিলোঁ সিজন্মত হেনো মই কৈবৰ্ত্ত আছিলোঁ। আমাৰ দেশৰ শঙ্কৰ-সূর্য্যৰ পোহৰত কৈবৰ্ত্ত, বিবৰ্ত্ত, সদ্বৰ্ত্ত, সকলো ব্ৰাহ্মণ বামুণ, কায়স্থ কায়েথ, শূদ্ৰ শূদ্ৰিৰ লগতে সুখত প্ৰবৰ্ত্তি আছে। আমাৰ মানুহে সেই মহাগুৰুৰ উদাৰ শিক্ষা মাপাহৰি বা তাৰিলে আওকাণ নকৰি চলিলেই বিবৰ্ত্তনবাদত পৰি এটা মহা অসমীয়া জাতি গঠিত হব। তেনেহলে আমি আৰু একেতাৰ গোফকে ছতাৰকৈ নেদেখুৱাই মিছাতে ভাই-ভাই ঠাই-ঠাই নহওঁহক। বোলোঁ শুনিছা নে?

ধৰ্ম্মকণ্ঠ। শুনিছোঁ ৰৱৰকৰা ডাঙৰীয়া!

ৰৱৰকৰা। আজিকালি তোমালোক চাকৰি চাকৰি কৰিয়েই গলাইক। পাহৰি গৈছা যে "উপযুক্ত গুণানুসাৰেহে" উপযুক্ত চাকৰি পায়। জাতৰ বিভাগ অনুসাৰে নাপায়; পালেও সেই পোৱাটো অনধিকাৰপ্ৰাপ্ত বস্তু। সি ক্ষণভঙ্গুৰ। লেখা-পঢ়া শিকি উপযুক্ত হলে চকীৰৰ ঘৰত ৰৱ চাকৰ হোৱাৰ বাট মুকলি। কাৰণ আজিৰ চকীৰ হিন্দুও নহয়, মুছলমানো নহয়; কুলীনো নহয়, অকুলীনো নহয়। সেইদেখি চাকৰিৰ বিষয়ত নিজৰ উন্নতি বা অৱনতি নিজৰ হাতত। ব্যাসৰ আসনত বহা অকুলীন সুতৰ কথা কোনে নাজানে? কুলীনে যদি চক্ৰান্ত কৰি অকুলীনক চাকৰ হবলৈ নিদি নিজে ছেঁপাহ কৰি চাকৰ হয়, তেন্তে চাকৰ-স্বৰ্গলাভাকাঙ্ক্ষী অকুলীনেও "প্ৰতিচক্ৰান্ত" কৰি কাৰ্য্যসিদ্ধি কৰি লব পাৰে। যদি 'চক্ৰান্তিকা' বুদ্ধিৰ অভাবত অকুলীনে সেই কাৰ্য্য কৰিব নোৱাৰা হয় তেন্তে সেইটো চক্ৰান্তক কুলীনৰ দোষ নহয়। তেৱে বুদ্ধিৰ খেতিত অকুলীনে মন দি তাক সৰহকৈ আজি লোৱাটোৱেই প্ৰকৃষ্ট উপায় নহয় জানো? অকুলীনে নিজৰ বুদ্ধি আৰু গুণৰ বলত পুৰণি কালত "হিন্দু পবিধি-বেণাৰ এক ইঞ্চি" নালাগে গোটেইখন পথাৰ ডেই লোৱাৰ দৃষ্টান্ত পোৱা যায়। ব্যাস, সুত, নাৰদতকৈ সেই পথাৰ সিপাৰৰ ফালে কোন সৰহকৈ গৈছিল? আৰু অলেখ নাম কৰিবলৈ আছে। আজিও তেনে উদাহৰণৰ অভাৱ নাই। আজিকালিও দেশৰ যিসকল "কুলীন হিন্দুৱে মুছলমানৰ লগত থাবলৈ ভাল পায়" তেওঁলোকে অকুলীন হিন্দুৰ লগতো থাবলৈ ভাল পাব, এইটো তুমি আমি ধৰা মাপোন অকুলীনজন পবিষ্কাৰ-পবিচ্ছন্ন আৰু সজ চবিত্ৰৰ হলেই হল। "কুলীন হিন্দুৱে অকুলীনক পৃথককৈ বধাৰ দায়ৰ অংশৰ ডাঙৰ এডোখৰৰ সুবিধা অকুলীনেই কুলীনৰ





[কামৰূপ অনুশাসন গাঁথিবৰ বেলা ইয়াৰ চাৰিওফালে বৰ্ত্তমান ওচৰৰ লোকজন]

[লক্ষ্মীবিলাস প্ৰেছ লিঃ]

দিছে। চৰ্কাৰৰ ঘৰত ডাঙৰ চাকৰ হলেই সেই আপদ বিদূৰ নহয়। সি যথাপূর্ব্বং তথাপৰং হৈয়েই থাকিব। আইন-সভাত হিন্দুৰ কোনো এটা শাখাজাতৰ মানুহে সৰহকৈ সোমাবলৈ পালেই তেওঁলোক "হিন্দু হৈ থাকিয়ে ভোগ কৰিব আৰু হিন্দু হৈ থাকিয়েই মৰিব" নহলে গোসাঁইহে জানে তেওঁলোকে কি কৰিব, এনে কথা নৰাণি কথা। আইন-সভাৰ ঘৰটো কুলীনৰ নামঘৰো নহয়, আৰু সভাখন ধর্ম্মৰ ৰৱসৰাহো নহয়। সেইখন ৰাজনীতি ক্ষেত্ৰ। ধর্ম্মৰ ব্যৱসায় ঈশ্বৰেৰে সৈতে; সমাজৰ ব্যৱসায় সমাজৰ ৰৱমুৰীয়াসকলেৰে সৈতে; আৰু ৰাজনীতিৰ ব্যৱসায় ৰজাঘৰীয়াসকলেৰে সৈতে। এইটো মাজনি এটাইবোৰ কথা সানি-পুটকি পিণ্ড এটা কৰিলে, সিপুৰীৰ পিতৃসকলে পালেও পাব পাৰে, ইপুৰীৰ কোনোৱে কিন্তু একো নাপায়। আৰু কোনোবাই পায় যদি পানীৰ মাছে, আৰু বামৰ চবাই-চিৰ্কতি পহু-পতঙ্গেহে পাব। "ৰাজপ্রসাদ" ভগাই দিয়ে ৰজাই, আৰু ৰজাৰ হুকুমমতে ৰজাঘৰীয়া বিলনীয়াই। অকুলীনেও লেখা-পঢ়া শিকি যোগা হৈ সেই বিলনীয়াৰ বাব লব পাৰে লওক তাত আমি আপত্তি নকৰোঁ, ৰবং সন্তোষ হে পাম; কিন্তু কুলীনৰ ধর্ম্ম আৰু সামাজিক ব্যাপাৰত তাৰ সম্পর্কটো কি যুযুজিলোঁ। অকুলীনে ৰজাঘৰীয়া আইন-সভাত সোমাই, তাৰ পৰা গধুলি ওলাই আহি "মেকুৰী হৈ" কুলীনৰ বান্ধনি-ঘৰত পোৱা মাছ খাবৰ হেঁপাহ কৰাটোতো মই হলে একো যুক্তি নেদেখিলোঁ। কাৰণ, পোৱা মাছ খোৱা বোলাক গৃহস্থই এদিন নহয় এদিন ধৰিব পাৰিলেই, বোলাৰ বিণাই-বিপত্তিৰ ওৰ নাথাকিব। মই কওঁ, ধর্ম্মঘণ্ট, তুমি চাই-ঠেঙীয়া মেকুৰী হবলৈ উচ্চাকাঙ্ক্ষা নকৰি, মানুহ হবলৈ, আনকি, মোতকৈও ভাল মানুহ হবলৈহে যত্ন কৰা উচিত। তেতিয়া ঈশ্বৰে অচিৰতে তোমাৰ মনস্কামনা সিদ্ধি কৰিব। ৰজাৰ আইন-সভাত সমজুৱা হৈ, আৰু কুলীনৰ মজিয়াত বোলা হৈ বাগ দিলে, সেই কার্য্য সিদ্ধি হোৱাটো টান। বোলো বুজিছা নে মোৰ বুকুৰ বান্ধ ধর্ম্মকণ্ঠ?

ধর্ম্মকণ্ঠ। বুজিলোঁ।

ৰৱৰকৰা। বাক সেইবোৰ কথা আজিলৈ এৰি দিলোঁ। মই এইখন জাতক পঢ়িছোঁ। বৌদ্ধগ্রন্থ। ইয়াৰ কথা বা সাধুকথাবোৰ বৰ বঢ়িয়া। মই এইমাত্র পঢ়িলোঁ, মুদ্রাভোজ ৰজাৰ পুতেক দম্ভভোজৰ কথা।

ধর্ম্মকণ্ঠ। কিনো সাধুটো, আমিও শুনিবলৈ পাম নে?

ৰৱৰকৰা। পাবা। কিন্তু তুমি ৰৱকৈ ঘামিছা। তাৰ আগতে তুমি তোমাৰ ডিঙিৰ ঘামবোৰ মছি ধর্ম্মকণ্ঠ শুচি শুদ্ধকণ্ঠ হৈ লোৱাঁ। নহলে তোমাৰ পানী লাগিব। অৱশ্যে ঘামো ৰৱকৈ পবিছে। তথাপি। শুনা তেন্তে।—

অতীজত কচ্ছদেশৰ ভুজ নগৰত মুদ্রাভোজ নামেৰে এজন প্রজ্ঞাবান মানুহৰ আৰু ধনীৰাম ৰজা আছিল। তেওঁৰ মাণোন একেটি পুতেক। নাম দম্ভভোজ। তাহানি কৃষ্ণ-কন্নিণীৰ বিয়াত খোৱা-বিয়া-চোৱা সকলৰ সভাত হোমৰ গুবিত বহি মহাদেৱে কি উছৰ্গিম বুলি ভবাৰ দৰে—

"হাতে লৈয়া আছোঁ শূল ডম্বক।
ঘৰে বাজে মোৰ একেটি গৰু॥"

মুদ্রাভোজৰো ঘৰে বাজে মাণোন একেটি পুতাই—দম্ভভোজ। দম্ভভোজক বাপেকে বৰ ভাল পায়। কিন্তু তাতোকৈ তেওঁ ভাল পায় মুদ্রাক। ৰজাৰ অগাধ টকা। তথাপি বজাই হা টকা! হা টকাকৈ মৰে! দম্ভভোজ হল বাপেকৰ ওলোটা পাকৰ। দুই হাতেৰে ধন খৰচ কৰিবলৈ বিচাৰে খৰচী দম্ভভোজে। ভোজনতো দম্ভভোজৰ অগাধ প্রীতি। প্রজাৰ মুখত নো কোনে সোপা দিব হেৰা? কোনোৱে কয় দম্ভভোজ লুটৰা স্বভাবৰ। কোনোৱে কয় মুদ্রাভোজ কটকিনা স্বভাবৰ। মুঠতে বাপ-বেটাৰ বাহি-নহা অৱস্থা। পুতেকে বিচাৰে বাপেকৰ মুদ্রাদোষ গুচি হাতৰ আঙুলিৰ মাজেদি পানী সৰকা হওক; বাপেকে বিচাৰে পোটোৰ আঙুলিবোৰ হাঁহৰ ভৱিৰ আঙুলি যেন হওক, আৰু তাৰ উপৰি তাৰ দাঁত কেইটা সৰি হয় যদি সি শোলা হওক। এদিন এনেকুৱা কথাতে বাপ-পোৰ ভিতৰত উথনাউথনি লাগি, বাপেকে পুতেকৰ গালত দিলে মাৰি এটা কাণতলীয়া চৰ। ফলত

হল পুতেক দুদাঁত সবা খোলা। পুতেকৰ উঠিল ধনজয় ধং। খণ্ডত দম্ভভোজে বঙা পৰি বাপেকক কলে—

"বঙা বাহাদুৰ পিতাই! তোমাৰ বাজ্যত আৰু মই নাথাকোঁ। তোমাৰ ভঁৰালত মই এদিন সিদ্ধি দি তোমাৰ ধন-সোণ সোপাকে লৈ যামেই যাম চাই থাকিবা।" এই বুলি দম্ভভোজে পিতৃবাজ্য পৰিত্যাগ কৰি গুচি গল। দম্ভভোজৰ লগত তেওঁৰ ফলীয়া ১২টা মানুহ ওলাল। এটা আৰিয়ে আছিল দেখি তাক আধা বুলি ধৰা হল। বৈৰাগ্যৰ ঠেগাত তীর্থ ভ্রমণ কৰি কৰি শেহত দম্ভভোজ কুণ্ডিল নগৰত ওলালহি। কুণ্ডিল সৌমাৰপীঠত। তাৰ অধিষ্ঠাত্রী দেবীৰ নাম দুর্গা। প্রচলিত নাম কৈটাইথাতী। দেবীৰ গুণ-গৰিমা আৰু নামৰ মহিমা শুনি কৈটাশাল আমঠ দম্ভভোজে কুণ্ডিলতে থাকিবলৈ থিৰাং কৰিলে।

সেই সময়ত কুণ্ডিল বাজ্য নানা ধৰণৰ বিসম্বাদ বিগর্হ্যয়ত ব্যতিব্যস্ত। সেইবোৰৰ সুকণ্ডাত সোমাই লৈ অন্তত দম্ভভোজ গোটেইখন কুণ্ডিলবাজ্যৰ বঙা হৈ বহিল। দম্ভভোজে ঠন ধৰি যেতিয়া কুণ্ডিলখন একালৰপৰা চোৱাই মহতিয়াই যাবলৈ ধৰিলে, মুদ্রাভোজে কোৱা-চিলাৰ মুখে সেই বাতৰি পাই অতি সন্তোষিত হল। "মোৰ বোপাই! তই মোৰ কুলৰ প্রদীপ, বংশৰ গৌৰৱ। তই আমাৰ বংশৰ গৌৰৱত পদ্মফুল। তই ক্রোধ অভিমান পৰিত্যাগ কৰ। তই আৰু মোৰ ভঁৰালত সিদ্ধি দিবও নালাগে, মোৰ ভঁৰালৰ সকলো ধন-সোণ বই-বস্তু তোৰ।" ইত্যাদি নানা কথা লেখি বাপেকে দম্ভভোজৰ ওচৰলৈ কটকী পঠিয়ালে। অৱশেষত কঠাল এঠা, বৰ এঠা, বেলৰ এঠাকে আদি কৰি যত এঠা আছিল, সকলোবোৰেবে মুদ্রাভোজে ফটা-বাঁহ দম্ভভোজক জোবাই পেলাই, অচিৰতে তেওঁ দুইখন বাজ্য গোটাই লৈ মাহাবাজ্য গঠন কৰি প্রথম সম্রাট মহাভোজ উপাধি ললে।

ধৰ্ম্মকণ্ঠ। এইবোৰ সঁচা কথা নে ডাঙৰীয়া?

ববৰকৰা। ধেৎ! এইখন জাতক পুথি তোমাৰ আগতে আছে, তুমি পঢ়ি চাব পাবা। তোমালোক ডেকা লৰাবোৰে আজিকালি ভদ্রলোক বুঢ়া মানুহৰ কথাকো পানীয়ে-মৰা-বাও যেন দেখা। বৌদ্ধজাতকৰ কথাতো সন্দেহ কৰা। জানা নে, এই জাতক পঢ়িয়েই আজিকালি বুবিয়ে বুবিয়ে য়ুৰোপীয় মানুহে বৌদ্ধধর্ম্ম গ্রহণ কৰিছে। তোমাৰ নিচিনা সন্দেহবাদীক আৰু মই ধর্ম্মগ্রন্থ জাতকৰ উপাখ্যান শুণ্ডনাওঁ। তুমি যাব পাবা।

ধৰ্ম্মকণ্ঠ। খং নকৰিব ডাঙৰীয়া। কথাবোৰ শুনি মোৰ তেনে মনে ধৰিছিল দেখিহে সেইযাৰ কলোঁ। আৰু নকওঁ। আপুনি কৈ যাওক, মই নিবিষ্ট চিত্তেৰে শুনি যাম।

ববৰকৰা। আৰু নকওঁ। তোমাৰ কথাত মোৰ মন সুখ হল। মাথোন ইয়াকে কৈ সামৰণি মাৰিম, যে দুইখন বাজ্য লগ লাগি একেখন হোৱাৰ পিছত, দুই বাজ্যৰ বঙাঘৰীয়া বিষয়াসকলে 'হোৱা' 'হোৱা' জাতীয় জয়ধ্বনি স্বকণে গ্রহণ কৰিলে।

ধৰ্ম্মকণ্ঠ। মানে?

ববৰকৰা। মানে আৰু কি? মানে এইটোৱেই যে দম্ভভোজীয়াই হোৱা বুলিলেই সিফালে মুদ্রাভোজীয়াই হোৱা বোলে। গতিকে কুণ্ডিলত সুখশান্তি বৈ-বৈ যাবলৈ ধৰিলে; আৰু কুণ্ডিলৰ উন্নতিৰ পৰিণতি স্বর্গলাভ। বোলোঁ ধৰ্ম্মকণ্ঠ, তুমিও আজি মোৰ আগতে হোৱা বুলি ঘোষোঁ; মৰো হোৱা বুলি সমিধান দিন।

ধৰ্ম্মকণ্ঠ। মানে?

ববৰকৰা। মানে তুমি মোক কলা, তুমি ববৰকৰা হোৱা; আৰু মই তোমাক কলোঁ তুমিও ধৰ্ম্মকণ্ঠ হোৱা।

ধৰ্ম্মকণ্ঠ। তাৰ পিছত?

ববৰকৰা। তৎপশ্চাৎ মই এই মৰ্ত্ত মাতি তোমাৰ গাত ফুৰাই দিম—

হব বিষ হব।
ধৰ্ম্মকণ্ঠৰ বিষবহ্নি পানীকৃত হৈ পব।
ফু—উ - উ!

আৰু তুমিও মন গলে মোৰ গাত ফুৰাই দিব পাবা। তাৰ ফলত মোৰ বুৰুবণি মৰিব।

মোৰ সোৱঁৰণী

(৩য় বছৰৰ ৫ম সংখ্যা "আৱাহন"ত ওলোৱাৰ পাচৰপৰা)

—বায় চাহাৰ শ্রীযুত পদ্মনাথ গোহাঞিবৰুৱা

কংগ্রেচ আৰু ৺আনন্দৰাম বৰুৱা।—কলিকতাত মোৰ পোন-প্রথম বছৰতে ১৮৯০ খ্রীষ্টাব্দত চনত ভাৰতীয় কংগ্রেচ মহাসভাৰ এটা বিৰাট বৈঠক হয়। এই বৈঠকত সেই কালৰ পার্টী সাম্প্রদায়িক বাঘযেন চোকা বাজনৈতিক পুৰুষ ৺ফেৰোজচাহ মেহটাই (পাচত চাৰ ফেৰোজচাহ) সভাপতিৰ আসন শোভা কৰিছিল। এই কংগ্রেচ বা ভাৰতৰ জাতীয় মহাসভাৰ আগন্তুক বৈঠক উপলক্ষে এমাহমানৰ আগৰপৰা বহুলে-দীঘলে উত্তৰপৰা দক্ষিণলৈ আৰু পুৱৰপৰা পশ্চিমলৈ সদৌ কলিকতাত আয়োজনৰ হেন্দোলনিত তল-ওপৰ লাগিছিল। কলিকতাৰ সর্ব্বজনিক সভা-সমিতিবিলাকৰ সদন আলোচনাৰ লগে-লগে প্রায় আটাইবিলাক কলেজতে অধ্যাপকসকল আৰু ছাত্রমণ্ডলীৰ মাজত সহায়-সহানুভূতিৰ কথন-মথনেবে তাত যোগদান কৰা বিষয়ক আলোচনা ঘন্ হবলৈ ধৰিলে; তাৰ মাজত বিপন কলেজ বিশেষ, কিয়নো সেই সময়ত এই কলেজৰ অধ্যক্ষ-অধ্যাপক আছিল কংগ্রেচৰ সোঁ-হাত ("Right hand of the Congress") আৰু বঙ্গৰ মুকুট নিপিন্ধা বঙা ("Uncrowned King of Bengal") স্বয়ং "সুবেন্দ্র বাবু" (৺চাৰ সুবেন্দ্রনাথ বানার্জ্জি)। গতিকে, বিপন কলেজৰ ছাত্রবর্গ এই বিষয়ত আগবঢ়ুৱা হৈছিল। সেই ছেগতে, মোৰ সেই পোন-প্রথম কংগ্রেচ দেখা কালত, আমাৰ অসমীয়া ছাত্রবর্গৰপৰা ময়ো আগবঢ়ুৱা দলৰ লগৰ এটা হৈ উকবি ফুবিছিলোঁ। ইতিপূর্ব্বতে সুমবি অহা হৈছে যে, ৺সুবেন্দ্র বাবুৱে মোক বৰ মৰম কবিছিল, বিশেষকৈ অসমীয়া বুলি। সেই আপাহতে সাহ পাই মই তেখেতৰ গা-কাষবীয়া ছাত্রকাৰবাৰীৰ লেখত উঠিছিলোঁ। সি যি হওক, পাক লাগি, সেই সম্বন্ধৰ গুণতে, অসমীয়া ছাত্রবর্গৰপৰা বাছকৰনীয়াকৈ সৰু এটি দল কংগ্রেচ-ভলণ্টিয়াৰৰ তালিকাভুক্ত হয়; আৰু মোৰ গাত এটি দুৱলীয়া নেতাৰ (Section Commander) বিষয়-বাৰ অযাচিতে আহি পবে। অসমীয়া ভলণ্টিয়াৰ দল তিনটা বিভাগত ভুক্ত হয়; যেনে,—অভ্যর্থনা-বিভাগ (Reception Department), পবিচর্য্যা-বিভাগ (Serving Department), পৰীয়া-বিভাগ (Gaurding Department)। মই মাজৰ পবিচর্য্যা-বিভাগত ভুক্ত হওঁ; অহিন্দু (non-Hindu) আৰু 'বিলাত-ফেবত' (England returned) 'ভেলিণ্টে'সকলৰ সেৱা চলোৱা ভলণ্টিয়াৰ দলৰ দুৱলীয়া নেতাৰ বাব মই বব লগাত পবোঁ। এই শ্রেণীৰ ভেলিণ্টেসকলৰ কাবণে বাহৰ পতা হৈছিল বাগিগঞ্জত ৺মিঃ টা, পালিত বাবিষ্টাৰৰ প্রকাণ্ড পকীঘৰ এটা। তিনদিনমানৰ আগবেপৰা গৈ আমি ভলণ্টিয়াৰ দলে সেই বাহৰ চমজি ললোঁহেঁক। তেতিয়া সুবহল টোলবেসৈতে সুপ্রশস্ত নিজান চাপৰীৰ বুকত সেই তথ্যগ্রাহী পকীঘৰটো আমি একেবাবে জনশূন্য অৱস্থাত পাওঁগৈহেঁক। সমথলৰ সমানত পতা নিচেই তলৰ মহলাত পোনেই গৈ বিয়ৈ-থিয়ৈ থিত লওঁতে, বংপুৰৰ বংঘৰ আৰু গড়পাৰঁৰ কাবেং ঘৰলৈ মোৰ ঘপহকবে মনত পবিছিল; কিয়নো নিজান, নিতাল আৰু গহীন ভাবত সেই ঐতিহাসিক বিবাট পকীঘৰবে সৈতে বিজনিৰ প্রতিবিম্ব জিলিঙনি অযাচিতে আহি এই বাহৰ-ঘৰটোৰ ওপবত পবিছিল। সি যি হওক, স্কন্ধেকতে সেই সোৱঁৰণী তাতে সিমানতে এবি উপস্থিত

কৰ্ত্তব্য সুমৰি অনতিপলমে কাৰ্য্যত তৎপৰ হলোঁহঁক। তাৰ পাচত, কথাপ্ৰসঙ্গত জানিব পাৰিলো যে, সেই বাহৰ-মন্দিৰ বাস্তৱতে তথ্যগ্ৰাহী, বিশেষকৈ মোৰ পক্ষে। কিয়নো, সেই প্ৰসিদ্ধ আলহী-আশ্ৰমতে ভাৰত-ৰত্ন, অসমৰ ধন, লক্ষ্মী-সৰস্বতীৰ ধৰ্ম্মপুত্ৰ, সংস্কৃতসাগৰ মন্থনকাৰী বিৰাট পুৰুষ ৺আনন্দৰাম বৰুৱাই শেষশয্যাত পৰি শেষ নিশ্বাস লৈছিল। সেই হিয়া উতলোৱা তথ্যৰ সম্ভেদ পোৱা মাত্ৰকে মই ততালিকে দ্বিতীয় মহলালৈ উঠি গৈ সুধি-সুধি সেই আনন্দমহলাৰ নিৰানন্দ খোঁটালিত সোমালো, য'ত আনন্দৰামৰ নৰীয়াপাটী পতা হৈছিল। মই সোমালো অকলশৰে। সোমাই সৰহপৰ থিয় দি ৰব নোৱাৰি, কাষতে জিৰণি দিবলৈ বুকু পাতি পৰি থকা হেলনীয়া মাচিয়া এখনত চিট্ হৈ পৰিলো। পৰি যাওঁতেই কি যে আকাশ-পাতাল জোৰা জাউৰি জাউৰি ভাবে মোক হেঁচি ধৰিলেহি, তাক এতিয়া সুমৰি অনুভৱ কৰিব পাৰো, কিন্তু ব্যক্ত কৰিবলৈ ভাষা নাপাওঁ! মাথোন, এতিয়াও সুমৰিলে সেইদিনাৰ দৰে চকুলোৱে ওন্দোলাই আহে। সেই প্ৰকাণ্ড আশ্ৰমৰ নিচেই উত্তৰ-পছিম কোণৰ সেই খোঁটালিটিৰপৰাই অসমগৌৰৱ ভাৰতৰত্ন আনন্দৰাম বৰুৱাই স্বৰ্গযাত্ৰা কৰিছিল। সেই বিষয়ে মোৰ সেইদিনাখনৰ সোঁৱৰণী সিমানেই; সিমানতে তাক তল পেলাই কৰ্ত্তব্য ওপৰ উঠিল। সেয়ে এই জীৱনত পোন-প্ৰথম আনন্দৰাম সুমৰণ। তাৰপৰা মাহুচেৰেকৰ পাচত, যেতিয়া ৺লম্বোদৰ বৰাই ৺আনন্দৰাম বৰুৱাৰ জীৱনী তথ্য সংগ্ৰহৰ অৰ্থে কলিকতাৰ ফালে পৰ্য্যটন কৰেগৈ, তেতিয়া তেওঁৰ আগত মই সেই বিষয়ে বিবৰি কৈছিলো। সেই আলহী-বাহৰত আমি একাদিক্ৰমে এসপ্তাহমান কটাব লগীয়া হৈছিল। তাৰপৰা নিতৌ কংগ্ৰেচ বহা কেদিনত ডেলিগেটসকলক মণ্ডপৰ নিৰূপিত ঠাইত আসন লোৱাই দি আমি বৈঠকৰ বিৰাট দৃশ্য চাই পুলকিত হওঁ, ভাৰতৰ স্বনামপ্ৰখ্যাত বাগ্মী পুৰুষসকলৰ দেশহিতৈষিতামূলক সুৱদি বক্তৃতা শুনি চৰিতাৰ্থ হওঁহঁক। সেয়ে মোৰ প্ৰথম 'কংগ্ৰেচ'-দৰ্শন, সেই প্ৰসঙ্গতে মোৰ অন্তৰত পোন-প্ৰথমে আনন্দৰাম সুমৰণ ভাব জাগি উঠে। এই খাপি "মোৰ সোঁৱৰণী" আঁচোতে শিতানত অঁকা শিৰোনামালৈ চাই পঢ়োতাৰ মনত এনেহে লাগি যাব, যে ৺আনন্দৰাম বৰুৱাও এজন কংগ্ৰেচকৰ্ম্মী আছিল; হওঁতে ঘটনাচক্ৰ সেইপাকেও ঘূৰে, ঘূৰি থাওক। কিয়নো, অন্যতম চিভিলিয়ান সাহিত্যিক ৺ৰমেশ্চন্দ্ৰ দত্তই, পেঞ্চনপ্ৰাপ্ত হোৱাৰ পাচত, এটা বৈঠকত এই কংগ্ৰেচ মহাসভাৰ সভাপতিৰ আসন অলঙ্কৃত কৰিছিল; ভাৰতৰত্ন চিভিলিয়ান স্বৰ্গীয় আনন্দৰাম বৰুৱায়ো, সেই কাল পোৱাগৈ হলে, তাকে নকৰিলেহেঁতেন বুলি নো কোনে কব এতিয়া?

জেনাৰেল বুথ্ সুমৰণ।—ঈশ্বৰপ্ৰেৰিত ধৰ্ম্মদূত, বিলাতী মুক্তিফৌজৰ (Salvation Army) ঘাই সেনাপতি (General) জেনেৰেল বুথৰ চিনাকি দিয়া বা সেই জগদ্বিখ্যাত বিৰাট পুৰুষৰ অসাধাৰণ কাৰ্য্যকলাপৰ নিদৰ্শন দেখুৱা এই সংকীৰ্ণ "সোঁৱৰণী"ৰ লক্ষ্য নহয়, মাথোন ভুৰুকাত হাতী সোমোৱাৰ দৰে এই ক্ষুদ্ৰ জীৱনৰ এচমকামান সোঁৱৰণীৰ মাজত সেই পৃথিবীব্যাপী মহাপুৰুষৰ অসীম কায়া কিৰূপে প্ৰবিষ্ট হল, তাৰ বিষয়ে উনুকিউৱা হে উদ্দেশ্য। ১৮৯০ খ্ৰীষ্টীয়ান চনত জেনেৰেল বুথৰ পত্নীবিয়োগ হয়। সেই অৱধি তেওঁ একেবাৰে মুকলিমূৰীয়া হৈ তেওঁৰ প্ৰচাৰকাৰ্য্যত পৃথিবী পৰ্য্যটন কৰিবলৈ ওলায়। সেই প্ৰসঙ্গতে সেই চনৰ শেহছোৱাত জেনেৰেল বুথে ভাৰতবৰ্ষত পদাৰ্পণ কৰেহি। সেই যাত্ৰাতে তেওঁ কলিকতালৈ আহি বহুবজাৰ ষ্ট্ৰীটত থকা মুক্তিফৌজৰ 'বেৰাক' বা আশ্ৰমত এসপ্তাহমান আছিল। সেই সপ্তাহটো বুথ-আগমন উপলক্ষত কলিকতা উলাহত উৰুলীকৃত হৈ আছিল। বহুবজাৰ ষ্ট্ৰীটৰ দুয়ো ফুটপাথত মানুহৰ মাজত বিৰ দি বাট পাবলৈ যে টানেই, যিদিনা যি ষ্ট্ৰীটেদি তেওঁৰ ভ্ৰমণ-প্ৰগ্ৰেম ওলায়, সেইদিনা সেই ষ্ট্ৰীটৰ ফুটপাথেদি গতায়াত কৰা দুঃসাধ্য হৈছিল। তেতিয়া কিন্তু মোৰ বাউসিত অলপ অপৰিমিত বল পাইছিলোঁ; তাতে মোৰ সৰুফুটীয়া এই সৰু কায়টো এফেৰি সুৰুঙাৰ মাজেদিয়েই সৰকাই নিবলৈ সুচল পোৱা গৈছিল। সেইদেখি, আনবিলাক যাত্ৰীয়ে বাধ্য হৈ

ট্ৰামত যোৱা দেখিও, মই সেই কেদিন দিনৌ বুথ-দৰ্শনলৈ 'পদব্ৰজে গমন' কৰোঁ; মাজে-সময়ে মোৰ কোনো-কোনো নিশকতীয়া বন্ধুজনকো মোৰ পিচে পিচে বাট ধৰাই দি উপকাৰ কৰি মই এফেৰি বাহাদুৰী লোৱাও মনত পৰে। সি যি হওক, দৰ্শনত লাভ হৈছিল কি?—সাক্ষাৎ ঈশ-জ্যোতিৰ করুণ কিৰণ স্পৰ্শন। বাস্তৱতে, জেনেৰেল বুথ সেই অমৰবাঞ্ছিত পুণ্য পোহৰৰ যেন এটি জলন্ত ফিৰিঙ্গতি; দৈববাণী সদৃশ তেওঁৰ মৌৰৰষা বক্তৃতা শুনাওঁতে, তেওঁৰেসৈতে যাৰ ভাগ্যত চাৰিচকুৰ এবাৰ মিলন ঘটিছিল, তেওঁ নিজকে ধন্য মানিছিল,—মোৰ নিচেই নগণ্য এই দুই চকুৱে সেই অভাবনীয় দৃষ্টি অযাচিতে দিনে একাধিক বাৰকৈ লাভ কৰিছিল; গতিকে, সেই কে'দিন দিনৌ আগতকৈ মই এফেৰি অধিক ভাগ্যৱন্ত যেন বোধ কৰিছিলোঁ। বক্তৃতা দি থাকোঁতে থাকোঁতে কেতিয়াবা, যেতিয়া, ঈশ-ভাবত তন্ময় হৈ, ঈশ্বৰপ্ৰেৰিত দূত বুথে নিজৰ কৰঙনত নিজে চপৰিয়াই উদ্বাউল দি উঠে, তেতিয়া কোন্ ক'ত থাকে কব নোৱাৰোঁ, মই হলে মোত নাথাকোঁ! বক্তৃতাৰ সামৰণত আপোনপাহৰা হৈ, আছুতীয়াকৈ বহি পৰোঁ। সেইদৰেই সাদিনৰ পাচত, বুথ-প্ৰত্যাগমনৰ বি-বিয়নি উঠিল। ভালেমান ভক্তভাইৰ মুখত বিষাদৰ ৰেখ বিৰিঙ্গি উঠিল। যি যি ষ্ট্ৰীটেদি বুথ-প্ৰত্যাগমন নিৰূপিত হৈছিল, তাৰ দুয়োপাশে অসংখ্যাত দৰ্শকবৃন্দ চিত্ৰাৰ্পিত হৈ চাই থকাতে থাকিল, মুক্তিমাৰ্গেদি উৰি যোৱাদি গৈ মুক্তিফৌজৰ সেনাপতি জেনেৰেল বুথৰ ৰথ যথাক্ষণত হাওড়া ষ্টেচনত উপস্থিত হলগৈ। মই কিন্তু সেই বেলা এফেৰি বুধিয়কৰ কাম কৰিলোঁ; বাটত খাপ্ নিদি আগধৰি গৈ সেই বিদায়-ষ্টেচনত 'হাজিৰ' হৈ আছিলো। মহাত্মা বুথে সেই ৰথ বা বাগীৰ ওপৰৰ পৰাই লোকাৰণ্যলৈ চাই কৰঙনত চপৰিয়াই, এটি বিদ্যুৎবাণীৰূপ ওজস্বিনী বক্তৃতা শুনাই থৈ গদ্গদ অন্তৰেৰে ৰেলত উঠিলেগৈ। সেই ক্ষণত, আগধৰি গৈ ৰেলৰ সেই কেবিনত আসন লৈ থকা কেইজনত বাজে, আন অনেকে জনতাৰ ভিৰ ভাঙ্গি কাষ চাপিব নোৱাৰিলে; মই কিন্তু সেই ভিৰৰ মাজেদিয়েই কেনেবাকৈ সৰকি গৈ ৰেলগাড়ী এৰিবৰ নিচেই মুৰামুৰি ছেগত জাপ মাৰি উঠি, হেঁপাহেৰে হাত আগবঢ়াই দি সেই পুণ্যাত্মাৰ পৱিত্ৰ কৰস্পৰ্শেৰে কৰমৰ্দ্দন কৰিবলৈ পাই সঁচাকৈয়ে নিজকে নিজে ভাগ্যবন্ত ভাবি আন্তৰিক আনন্দত উথলি উঠিছিলোঁ। তাৰ পাচত, ৰেলে সেই ঈশজ্যোতিকণা লৈ চুটি মেলিলে; ময়ো ধীৰে-শাঁতে ৰাতি দহমান বজাত বহালৈ উলটি আহি, এই কবিতা কেইষাৰি লিখি থৈ টোপনিৰ কোলাত লালকাল দি পৰি থাকিলোঁ; যেনে,—

"ঈশ-জ্যোতি-ফিৰিঙ্গতি উফৰি মৰ্ত্ত্যত,
মুক্তিমাৰ্গ পোহৰাই ভ্ৰমা যেবে ভৱ;
ওঠৰ-শ-বিৰাম্বই খ্ৰীষ্টীয় চনত,
পৰশন লাভ মোৰ কৰপদ্ম তৱ!"

ওলটা-যাত্ৰা।—ইয়াৰ আগেয়ে সুমৰি থোৱা আছে, মই নো কি অৱস্থাত কেনেভাৱে কলিকতা এৰি ঘৰৰ লৰা ঘৰলৈ উলটিছিলোঁ। আহোঁতে বাটত সেই গধুৰ ভাবত যেনিয়ে চাওঁ তেনিয়েই গধুৰ-গধুৰ যেন লাগি যায়। ভালেমান দিন স্বপ্ৰদেশৰপৰা আঁতৰি থকা হেতুকে, ৰেল ষ্টেচন আৰু জাহাজ-ঘাটবিলাকত অসমীয়া মুনিহ-তিৰোতা, লৰা-ছোৱালী দেখা পালে মোৰ অন্তৰৰ আপোন ভাবে হেন্দোলিয়াবলৈ ধৰে; কাষ চাপিলে মাতোঁ-মাতোঁ যেন লাগে, কিন্তু অন্তৰৰ সেই একেটা বিৰকতি ভাবে বিষাদ লগাই নিমাত কৰি থয়। এইদৰে আহি আহি ধুবুৰী-ঘাট পালোঁ। তাতে দুখুনী মাক-জীয়েক এহালি টালি-টোপোলাৰেসৈতে আহি জাহাজত উঠি ডিবৰুগড়লৈ যাবলৈ বুলি সহযাত্ৰী হল। দেখি ভাল লাগিল, কিন্তু মতা-বোলা নাই। পিচে, দুটামান ঘাট চেৰাই অহালৈকে মন কৰি আহিলোঁ যে, দুখুনীহঁতক জাহাজৰ খালাচী-বাবুৰ্চী-বিলাকে আমনি কৰি আহিছে; সিহঁতে অ'ত ঠাই লয়, তাৰপৰা খালাচীয়ে উঠাই দিয়ে, ত'ত ঠাই লবলৈ যায়, বাবুৰ্চী আদিয়ে বাধা দিয়ে! দেখি দেখি মোৰ অসহনী হল, সিমানতে মোৰ মুখৰ মাত ওলাল। মই উঠি গৈ খালাচী-বাবুৰ্চীহঁতৰেসৈতে তৰ্কবাদ চলাবলৈ ধৰিলোঁ, আৰু অলপৰ পাচতে সেই কথা লৈ কোঢ়াল লাগি উঠিল; এনেতে, জাহাজৰ চাৰেং আৰু ডাক্তৰ বাবুজন আহি

আমাৰ মাজত সোমাল মীমাংসাৰ ফলত সেই নিৰাশ্ৰয়া প্ৰাণী দুটিয়ে মোৰ দাঁতিতে টালিটোপোলা মেলি বিছনা পাতি লৈ জিৰাবলৈ থিত্ ললে। সিহঁতে কৃতজ্ঞচিতেৰে ঘনে ঘনে মোৰ মুখলৈ চায়, ময়ো মোৰ সেই সাময়িক বিষাদী ভাব ক্ষন্তেকলৈ পাহৰি সিহঁতৰ মুখলৈ চাই মূৰ দুপিয়াই অভয়দান দি থওঁ। এইভাৱে আৰু কেইটামান ঘাট এৰাই যোৱাৰ পাচত, জানিব পাৰিলোঁ, সেই ছোৱালীটীয়ে পঢ়িবও জানে, নিম্নপ্ৰাইমেৰিমানলৈকে পঢ়িছিল হেনো। শুনি সন্তোষ পালোঁ, আৰু তাৰ চিন্ স্বৰূপে মোৰ পেটাৰিৰপৰা "লাহৰী" এখন উলিয়াই দি, তাই অকলে ওমলা সমলৰ হাতালিগুটিৰ সৰু শিলগুটি এটি বেচস্বৰূপে লৈ সেই মেলা পেটাৰিত ভৰাই থলোঁ। তাৰ পাচত, সেই আজলী চেনেহীৰ সঙ্গলাভত মোৰ মনৰ বিষাদ-ভাৱৰ ক্ৰমাৎ আঁতৰিবলৈ ধৰিলে, মই বতৰ ফৰকাল যেন বোধ কৰিলোঁ। পাচলৈ, সিহঁতৰ প্ৰতি মোৰ মোহ অযাচিতে বাঢ়ি আহিবলৈ ধৰিলে; পিচদিনা পুৱা সিহঁতক পূবমুৱাকৈ উজাবলৈ এৰি থৈ মই গুৱাহাটীত নামিবলৈ বৰ টান পাইছিলোঁ। জাহাজ এৰাৰ পাচত মোৰ টালিটোপোলা মুটীয়াৰ মূৰত দি মই আকৌ গধুৰ মনেৰে দক্ষিণমুৱা হৈ গৈ গৈ পকাঘাটৰ কাষত নৰ্ম্মাল স্কুলৰ বোৰ্ডিঙত সোমালোঁ। দিনটো তাতে জিৰাই-শঁতাই সন্ধিয়াপৰত অকলে আহি সেই পকীঘাটৰ খটখটিত বহি বহি সেই চেনেহৰ ছবিযেন আজলী ছোৱালীটীলৈ সুমৰি সুমৰি জিৰণীয়া পখীৰ ভাবত "চেনেহী চৰাই" নামে কবিতা এটি ৰচি নি মোৰ পেটাৰিত সেই শিলগুটিটিৰ লগতে থৈ দিলোঁগৈ।

হেমচন্দ্ৰ সাক্ষাৎ।—পিচদিনা, অৰ্থাৎ গুৱাহাটী প্ৰবাসত মোৰ দ্বিতীয় দিনা, দুপৰ ভাটী দিয়াৰ পাচত, উজানবজাৰৰ ঘাটত, হঠাতে মোৰ সমনীয়া বন্ধু ৺বসন্তকুমাৰ গোস্বামীক লগ পালোঁ। তেওঁ মোতকৈ এবছৰৰ আগধৰি কলিকতাৰ পৰা উলটি আহি তাতে আছিল। তেওঁক লগপোৱাৰ পৰা মোৰ বৰ লাভ হল। তেওঁৰ আগত ততালিকে মই গুৱাহাটীত নমাৰ উদ্দেশ্য ভাঙ্গি কলোঁ। তাৰ পাচত আবেলি পৰত দুয়ো লগ লাগি অসমীয়া সাহিত্য-সম্ৰাট ৺হেমচন্দ্ৰ বৰুৱা ওজাদেৱক সাক্ষাৎ কৰিবলৈ বুলি ওলাই গলোঁ। গৈ, এতিয়া য'ত "হেমচন্দ্ৰ স্মৃতিফলক" বহিছে, সেই টোলত এটি সৰু চৌচলীয়া ঘৰত সোমালোঁহঁক, সোমাই, কাকো লগ নাপালোঁ। উদংপ্ৰায় ঘৰটি নিজান নিতাল আৰু চেঁচা যেন বোধ হল। মাজতে এখনি মেজ; ভালেমান কিতাপ আৰু কাকতৰ টোপোলাৰে ভৰা। মই একেথৰে মেজলৈ চাই চাই থৰ লাগি ৰলোঁ। কিন্তু, মোৰ তজবজীয়া সমনীয়াই ইফালে-সিফালে ঘৰৰ কেইওফালে ভুমুকিয়াবলৈ ধৰিলে। কেইমিনিটমানৰ মূৰত তেওঁ ৰংমনেৰে এই বুলি মাতি উঠিল, "অ, সৌৱাচোন"। পিচমুহূৰ্ত্ততে ভিতৰৰপৰা গহীন স্বৰেৰে সমিধান দিয়া শুনিলো, "অ, বাৰু, বহাঁ, গৈছোঁ"। আমি দুয়ো ঠাইতে দুখন পাৰি থোৱা সৰু মাচিয়াত বহি গলোঁ। অলপ পৰৰ পাচতে সেহাই সেহাই লম-লম পকাডঢ়ীয়া পকাথেকেৰা যেন বুঢ়াগিৰী এজন ওলাই আহিল। সেহাবৰ শুনি মই তেওঁৰ জ্বৰ বুলি হে ভাবিছিলোঁ, কিন্তু মোৰ কথকি বন্ধুৱে আদবাটতে সুধি তত্ত্ব উলিয়ালে যে, জ্বৰ নহয়, বাতবিষৰ বিকাৰহে। তাৰ পাচত, তেখেতে নিজৰ আসন লৈয়েই মোলৈ চাই সুধিলে, "এওঁ নো কোন্?" মোৰ লগৰীয়াই লৰালৰিকৈ মোৰ চমু চিনাকি দি যাওঁতেই তেখেতে এটি সন্তোষৰ হাঁহি মাৰি এই বুলি মাতি উঠিল, "অ, এওঁৱেই পদ্মনাথ নে?" মই ততালিকে থিয় দি নম্ৰভাৱে উত্তৰ দিলোঁ 'হয়'। পিচমুহূৰ্ত্ততে তেখেতে আকৌ সুধিলে, "বিজুলী কেনে চলিছে? 'বিজুলী'ৰ তৃতীয় বছৰৰ শেহ সংখ্যা পৰহি মাথোন পাই পঢ়ি উঠি ৰং পালো"। তাৰ পাচত, 'বিজুলী'-বৃত্তান্ত মই বিবৰি কৈ নিছোঁ, এনেতে তেখেতে এটা দীঘল হুমুনিয়াহ পেলাই এই বুলি আক্ষেপ কৰিবলৈ ধৰিলে, "এৰা, আমাৰ দেশীভাষাৰ আলোচনী কাকতৰ দশা তেনেকুৱাই! আমাৰ দেশৰ মানুহে আজিলৈকে বাতৰি-কাকতৰে মোল বুজা নাই, আলোচনী কাকতৰ মোল কি বুজিব! আমাৰ সমাজত আজিকোপতি পাঠক-সমাজ (Reading Public) বুলি এটা বস্তুৰ সৃষ্টি নহল, আৰু কেতিয়াবা হব যে কব নোৱাৰিছোঁ এখোন।" এই বুলি তেখেতে তাহানিৰ "অৰুণোদয়" কাকতকে আদি

কৰি আমাৰ দেশী বাতৰি আৰু আলোচনী কাকত আটাই-বিলাকৰ ইতিবৃত্ত বিবৰি কৈ কৈ আক্ষেপ কৰিবলৈ ধৰিলে। আমি দুয়ো একেথৰে সেই ঋষি-পুৰুষৰ মুখলৈ চাই চাই বিষাদত ম্লান পৰি যোৱা যেন হলোঁ। তেনেতে, ততালিকে, তেখেতে আমাৰ মুখলৈ চাই, কিবা ভাবি কথাৰ ধাৰ লৰাই লৈ, এই বুলি আমাক উদগণি দিবলৈ ধৰিলে, "কিন্তু চিৰকাল সমানে নাযায়; আৰু মানুহৰ অসাধ্য একো নাই। ঘহোঁত ঘহোঁতে শিলো ক্ষয় যায়; আমাৰ নেৰানেপেৰা শ্ৰম চলি থাকিলে আমাৰ জাতীয় উন্নতিৰ গতিত ভেটা দি পৰি থকা বাধক শিলচপৰাও ক্ষয় নাযাবগৈ যে সিও নহয়। এতেকে, আমি হতাশ হোৱাৰ সকাম নাই; কাচিপাৰি লাগিব হে লাগে। বিশেষ, আমাৰ জাতীয় সাহিত্যৰ উন্নতিৰ গতিয়ে ভালৰ ফালেই ঢাল লৈছে।"

আনে তং ধৰিব নোৱাৰাকৈ তেখেতে কথাৰ ধাৰ সলোৱাৰ অৰ্থ কিন্তু আমি নুবুজাকৈ নাথাকিলোঁ; বুজি বিষাদী গুচি ৰংমুৱা হলোঁহঁক। তাৰ পাচত, "জোনাকী"-"বিজুলী"ত প্ৰকাশ হোৱা ৰচনাৰ চানেকি, তাৰ লিখা প্ৰণালী, ভাষাৰ ঠাচ্, বিশেষকৈ পথাৰৰ মাজৰ জোপাৰ নিচিনা সেই সাময়িক অসমীয়া আখৰ-জোঁটনিৰ বিষয়ে বিশদ ব্যাখ্যা দি মোক মৰমেৰে বুজাই গৈ থাকি, তেখেতে মাজতে এবাৰ হৰ্ষমনেৰে এই বুলি কৈ উঠিল, "এই বিষয়ত তোমাৰপৰা আমি ভাল আশা কৰিছোঁ, কিয়নো "বিজুলী"ত সেই মতভেদৰ সামঞ্জস্য ঘটাবলৈ উদ্যমৰ তুমি যি চিনাকি দিছাঁ, সি আমাৰ মনোমত হৈছে। আমাৰ আধুনিক ভাষাৰ অৱস্থা চাই, তাক বাৰেমতীয়াকৈ এৰিলে সি শেহত কিবাটো হৈ পৰিবগৈ। সেই কাৰণে, যিমান সোনকালে পৰা যায় আমাৰ ভাষাত উঠি অহা লেখকৰ মতভেদ চাপ খুৱাই নি একমতীয়া বা একেটা কৰিবলৈ চাব লাগে। মই স্বীকাৰ কৰোঁ, সেই ফালে মত পোনাবলৈ তুমি বাট চোঙ্গাবলৈ ধৰিছাঁ। আৰু এটা কথালৈ এই সময়ত মন কৰিব লগীয়া যে, আমাৰ নতুন লিখাৰু-বিলাকে আগ-গুৰি নুগুণাকৈ মুঠিয়ে-মুঠিয়ে সংস্কৃতীয়া আৰু আন-আন প্ৰাদেশিক ভাষাৰ শব্দবোৰ আনি সুমুৱাই আমাৰ ভাষাক চহকী কৰিবলৈ ধৰাৰ আভাস পোৱা যায়। সেইটো সিবিলাকৰ ভুল। ৰঘুমলাক বহুলকৈ বিয়াপিবলৈ এৰি দিলে শেহান্তৰত ঘাই গছজোপা যেনেকৈ ধ্বংস হয়গৈ, অপৰিমিতকৈ আন প্ৰাদেশিক ভাষাৰ শব্দক ঠাই এৰি দিলে আমাৰ ভাষাৰো তদ্ৰূপ দশা মিলিবগৈ যে, তাত সন্দেহ নাই। এতেকে, পাৰ্য্যমানে আমাৰ ভাষাৰ নিজা শব্দেৰে আমি আমাৰ মনোভাব ফুটাবলৈ চাব লাগে; নিতান্ত নোৱাৰিলে হে আনৰ শব্দেৰে আমাৰ সামঞ্জস্য ৰাখি লিখা উচিত। এতিয়ালৈকে যিমানবোৰ সংস্কৃতীয়া আৰু আন প্ৰাদেশিক শব্দ আমাৰ ভাষাত সোমাইছে, সেয়ে যথেষ্টতকৈ চৰিছে, তাতকৈ আৰু চৰিবলৈ দিব নালাগে। অৱশ্যে, সেই বুলি, আমাৰ ভাষাত ইয়াৰ আগলৈকে যিবোৰ শব্দ সোমাই নিগাজী হৈ পৰিছে, সেইবোৰ আকৌ উলিয়াই খেদিবলৈ মই বুধি নিদিওঁ; কিয়নো এতিয়া সেই পন্থাত ধৰিবলৈ গলে আমাৰ ভাষাৰ ছাল-মঙ্গহ গৈ জঁকাটো মাথোন ৰবগৈ। এতেকে, আগলৈ যেন তেনেবিলাক শব্দ আমাৰ ভাষাত নোসোমায় তাৰ কাৰণে আমি সাৱধান হব লাগে। আন-হাতে, ছেগ বুজি দুই-চাইটাকৈ আন ভাষাৰ মূলৰেসৈতে শুদ্ধ সামঞ্জস্য ৰাখি নতুন শব্দ গঢ়িবলৈকো লক্ষ্য ৰাখিব লাগে; তাৰ লগে-লগে আমাৰ ভাষাৰ যিবোৰ অপ্ৰচলিত শব্দত মামৰে ধৰিছে, তাকো বাছি বাছি সংস্কাৰ কৰি লবলৈ চোৱা উচিত। কিয়নো, এইদৰে শব্দ-সংগ্ৰহ নহলে আমাৰ ভাষা চহকী নহৈ এতিয়াৰ ঠাইতে ঠিহিৰা মাৰি ৰব।" ইত্যাদি জ্ঞানগৰ্ভ বুজনি তেখেতে দি গৈ আছে, মই একাণপতীয়া মনোযোগেৰে শুনি গৈ আছোঁ; কিন্তু মোৰ চট্‌ফটীয়া সমনীয়া লগৰীয়াই তাত বৰকৈ তৃপ্তি নাপাই, মেজৰ ওপৰৰ কিতাপ-কাকত-বিলাক ইখন-সিখনকৈ লুটিয়াই-মেলি চাই চাই শেহত মাননীয় ওজাদেৱৰদ্বাৰাই প্ৰণীত অসমীয়া বিয়া-পদ্ধতি (Assamese Marriage System) বিষয়ক সৰু ইংৰাজী পুথি এখন পাই, তাকে একান্তমনেৰে পঢ়িবলৈ ধৰিলে। ইফালে মোৰেসৈতে কথা পাতি থকাৰ মাজে-মাজে ছেগ বুজি একো-একোবাৰ বুঢ়া ডাঙ্গৰীয়াই মোৰ সমনীয়াৰ

ফালেও কেৰাহিকৈ চায়। মোৰ লগৰীয়াই সেইদৰে পঢ়ি গৈ থাকি মাজমান পাওঁতেই এবাৰ ইফালৰপৰা এখেতে এই বুলি মাত লগালে, "সেইখন ঘৰলৈ নি পঢ়িব লগীয়া পুথিহে, ইয়াত এতিয়া কথা-বাৰ্ত্তা পাতিবৰ হে সময়।" মোৰ সদানন্দ সমনীয়াই অলপ অপ্ৰস্তুত হৈ, পঢ়া এৰি শুনাত মন দিলে। তাৰ পাচত আৰু ভালেমান সাহিত্যিক চৰ্চ্চা বিষয়ক কথা-বাৰ্ত্তা চলিল। সদৌশেহত, বহুপৰৰ মূৰত, আমি উঠিবৰ বেলিকা মই বৰ আগ্ৰহেৰে "হেমকোষ" অভিধানখনি এবাৰ চাবলৈ ইচ্ছা প্ৰকাশ কৰিলোঁ। তেখেতে মোৰ অনুৰোধ ৰক্ষা কৰিবলৈ বুলি অনতিপলমে উঠি গৈ, ভিতৰৰপৰা প্ৰকাণ্ড "হেমকোষ" অভিধান বহিখন বুকুত সাবটি ধৰি হেপোৰ-তেপোৰকৈ লৈ আহি মোৰ আগতে মেজত থলে। দেখা মাত্ৰকে সেই হাতে লিখা প্ৰকাণ্ড গ্ৰন্থৰ কৰ্ত্তাজনৰ প্ৰতি মোৰ ভক্তি-কৃতজ্ঞতাৰ উদ্গীৰণ অন্তৰত উপচি পৰিল। মই হৰ্ষবিহ্বল হৈ মাতি উঠিলোঁ, "এয়ে নে কি আমাৰ হেঁপাহৰ সেই অসমীয়া অভিধান!" তেখেতে গদ্‌গদ হৈ সমিচাৰ দিলে, "হয়, এয়ে মই অপুত্ৰকৰ পুত্ৰ, তোমালোকৰ অসমীয়া অভিধান তোমালোকলৈকে থৈ যাওঁ; পিচে, এইভাগেই ই ভেঁকুৰিব লগীয়া হয়গৈ নে কি কব নোৱাৰিছোঁ এথোন, মই জীয়াই থকাৰ কালত কিন্তু ই পোহৰলৈ ওলোৱাৰ সম্ভাৱনা দেখা নাই।" তেখেতৰ সেই আক্ষেপসূচক কথাষাৰে মোৰ বুকুত বৰকৈ বিন্ধিলে; কিন্তু আন্তৰিক উদ্বিগ্নতা হেতুকে তাত বৰকৈ মন দি ৰব নোৱাৰি লৰালৰিকৈ গ্ৰন্থখনি লুটিয়াই-মেলি একাণ-পতীয়াকৈ চাবলৈ ধৰিলোঁ। মোক সেই অৱস্থাত মনোমতকৈ ৰবলৈ সুছেগ দিয়াৰ অভিপ্ৰায়ে তেখেতে ততালিকে লগৰীয়া গোসাঁইদেৱৰেসৈতে হাঁহি-ধেমালিকৈ আন বিষয়ক কথা-বাৰ্ত্তা পাতিবলৈ ধৰিলে। দেখিলোঁ, সেই প্ৰকাণ্ড গ্ৰন্থখন পাতেপতি চাৰি-পাঁচখনকৈ লগোৱা অলেখ শ্লিপ (slip) বা চুঙ্গীকাকতেৰে ঠাহখোৱা। ওপৰে-ওপৰে হলেও, হেঁপাহ পলুৱাই অভিধানখন লুটিয়াই চাবলৈ গলে, নিচেই চমুকৈও, দিন দহেকৰ নেৰানেপেৰা কাম। গতিকে, মোৰ সেই উড়নীয়া সাক্ষাতত সেই আশা দুৰাশা বুলি এৰি, তাৰপৰা মূৰ দাঙ্গি ওজাদেৱত এই বুলি এটি প্ৰশ্ন কৰিলো, "পিচে, এই লিখাই লিখা নে, অভিধানখনি নকল কৰোৱা হব?" তেখেতে হাঁহি হাঁহি সমিচাৰ দিলে, "নকল কৰিব পৰা হলে কৰিলো-হেঁতেন, কিন্তু নকল কৰোৱাৰ সপক্ষ মই নহওঁ"। আমাৰ খৰটকীয়া গোসাঁইদেৱে মুখ পাতি ধৰিলে, "কিয়?" প্ৰশ্নোত্তৰ হল, "আনে নকল কৰাত নিৰ্ভৰ কৰিব নোৱাৰি, কিয়নো ই আন পুথি নহয়, অভিধান। অভিধানত বৰ্ণবিন্যাস আৰু আখৰ-জোঁটনি এই দুটা ঘাই বস্তু; ইয়াত হেৰ-ফেৰ ঘটিলেই গোটেই মিছা হব! ইও সেই ব্ৰন্সন্ অভিধানৰে অন্যতম তাঙ্গৰণৰ তুল্য হব। গতিকে, আনৰ হাতক মই পতিয়াব নোৱাৰোঁ। এতেকে, এই জীৱনত সেই কৰ্ম্ম নহবগৈ বুলিয়েই ধৰিবা। আৰু, অকল এইখনেই নহয়, আৰু এখণ্ড এই হাতেৰেই যুগুতকৈ থোৱা আছে।" এই বুলি ঘপহকৰে উঠি লৰালৰিকৈ ভিতৰ খোঁটালিলৈ সোমাই গৈ "সংক্ষিপ্ত হেমকোষ" নামে পঢ়াশলীয়া অভিধানখন আনি ওজাদেৱে মোৰ আগত থলেহি। মই দেখি মুগ্ধ হলো। সেই হাতে-লিখা অমূল্য গ্ৰন্থ দুখণ্ডৰেসৈতে তাৰ কৰ্ত্তা সাহিত্যিক ঋষিজনক বিজাই চাই চাই মই বিভোল হলো! মোক ভাবে ধৰি মোৰ মুখৰ মাত হেৰুৱালে। ক্ষন্তেকমানৰ মূৰত মাথোন ইয়াকে সুধিলো, "কোন্‌খন আগ?" উত্তৰ আহিল, "ডাঙ্গৰখনতে আৰম্ভণ; সৰুখন তাৰে টোকা মাথোন।" ভালকৈ তত্ ধৰিব নোৱাৰি মই অলপ টলকা মাৰি ৰোৱা দেখি তেখেতে আকৌ এই বুলি ভাঙ্গি কলে, "অৰ্থাৎ, আমাৰ গাৱঁলীয়া পঢ়াশালিবিলাকৰ কাৰণ এখান সৰু অভিধানৰ প্ৰয়োজন আছে। সেই-বোৰত ই চলিব পাৰিব; ডাঙ্গৰ নোহোৱা হেতুকে ইয়াৰ ব্যয়ো কম হব; এতেকে ইয়াক অনেকে কিনা সম্ভৱ। সেয়ে হলে ইয়াৰ বাবে কৰা শ্ৰম আৰু ব্যয় নিৰৰ্থক নহয়। ডাঙ্গৰখন বৰ ডাঙ্গৰ হল। ওৱেবষ্টাৰৰ ইংৰাজী অভিধান তাৰ আহি। সেই পুথিকে চানেকি কৰি লিখি থাকোতে সি ইমান ডাঙ্গৰ হৈ পৰিল যে, ৰবিন্সন্ ক্ৰুচোৰ নাৱৰ দৰে তাক অকলৈ লৰোৱা অসম্ভৱ

হল। আমাৰ অকল ধন নাই এনে নহয়, ছপাযন্ত্ৰও নথকাৰ নিচিনা। সৎসৰ্ব্বহ ভাঙ্গি তাক কলিকতাত ছপালেও, আজিকালি আমাৰ দেশী লোকসকলৰ নিজ ভাষালৈ যি হে আদৰ, তালৈ চাই, উচিত মূল্য দি তাক কিনোতা যে সৰহ ওলাব, এনে আশা কৰিব নোৱাৰি। এইবিলাক কাৰণতে সি আজিলৈকে পোহৰ দেখা নাই, ভিতৰতে ভেঁকুৰিছে। এয়ে আগৰখন পাচ কৰি, পাচৰখন আগ কৰিবলৈ চোৱাৰ ঘাই কাৰণ।" ইতিক্ষণত ইফালে মই তেখেতৰ কথালৈকে কাণ দিছোঁ, তাৰ লগে লগে পাচত আনি দেখুৱা অভিধানখনৰো পাত লুটিয়াইছোঁ; আৰু দেখি মনে-মনে হাঁহি উঠিছিল যে, তেখেতে মুখেৰে কোৱা কথাখিনি ঠিক আখৰে আখৰে পঢ়াশলীয়া অভিধানৰ পাতনিত লিখা পৰিছে। ইমানতে সন্ধিয়া চাপিল; তিনিঘণ্টাৰ ওপৰ সময়ৰ সাক্ষাৎ মোৰ মানত তিনি মিনিটমানহে লাগিছিল যদিও বিদায়ৰ ক্ষণ বুজি, সিমানতে সোঁ-হাতে "হেমকোষত" আৰু বাওঁ-হাতে "পঢ়াশলীয়া অভিধানত" দুই পকাবুঢ়া সাহিত্যিক ঋষিৰ ওচৰত সভক্তিৰে মূৰ দোঁৱাই বিদায় ললোঁ। মোৰ লগৰীয়া খৰটকীয়া সদানন্দ বন্ধু ৺বসন্তকুমাৰ গোসাঁইদেৱেও খৰলিপাক দি উঠি সেই আধাপঢ়া কিতাপখনি জেপত ভৰাই লৈ বিদায়লৈ উদ্যত হৈছে, এনেতে সেই সাহিত্যিক মুনিয়ে দক্ষিণালৈ হাত পতাৰ দৰে, হাত পাতি তেওঁত এই বুলি যাচ্ঞা কৰিলে, "কিতাপৰ বেচ ফেৰা?" বন্ধুৱে সেমেনাসেমেনিকৈ তেওঁৰ হাঁচটিৰ গাঁথিৰপৰা টকা এটি উলিয়াই দেখুৱাই কলে, "এ, ভঙ্গনীয়া নাই!" "দিয়া, ভঙ্গাই দিওঁ" বুলি ওজাদেৱে টকাটো হাত পাতি লৈ হাতনি-পেৰা মেলিবলৈ ধৰি মোলৈ চাই কলে, "তুমিও জানো এখন নিকিনিবা?" মই গিৰিসাই উত্তৰ দিলোঁ, মোৰ হাতত বাট-খৰচাৰ ওপৰঞ্চি পইচা এটিও নাই!" তেখেতে "এই টকাটোৰেপৰা কাটি লওঁ, তুমি তেওঁক পাচত দিবাগৈ" বুলি গোসাঁইদেৱক সিকি এটা ওকলাই দি মোক বেগাবেগিকৈ সেই বিবাহ বিষয়ক ইংৰাজী কিতাপ এখনি আনি দি, এই বুলি মোখনী মাৰি থলে, "বেয়া নাপাবাঁহঁক, এইদৰে নেবেচিলে আমাৰ দেশত কিতাপ-পুথি বেচিবৰ আন উপায় নাই।" তাৰ পাচত, আমি দুয়ো সভক্তিৰে নমস্কাৰ কৰি ওজাদেৱৰ ওচৰত বিদায় ললোঁহঁক। মোৰ হেমচন্দ্ৰ-সাক্ষাৎ এয়ে প্ৰথম, আৰু এয়ে শেষ।

পোন-প্ৰথম তথ্য-সংগ্ৰহ।—সেই একেটা ওলটা-যাত্ৰাতে গুৱাহাটীৰপৰা আহি গোলাঘাটত সোমালোঁ। তেতিয়া গোলাঘাটত মোৰ ভনী-জোৱাঁই ৺চন্দ্ৰশেখৰ বৰুৱা এজন আমোলা আছিল। গোলাঘাটত ভুমুকি মৰাৰ উদ্দেশ্য মোৰ তিনটা;—(১) বহুদিনৰ মূৰত মোৰ চেনেহৰ ভনী-জোৱাঁইক দেখা পোৱা, (২) মোৰ প্ৰিয়তম বন্ধু ৺কৃষ্ণপ্ৰসাদ দুৱৰাক পাকতে চাই যোৱা, (৩) ৺চিৰিং ফুকনৰ ঘৰলৈ গৈ যি পাওঁ বুৰঞ্জীমূলক তথ্য অনুসন্ধান কৰা। প্ৰথম দুটা উদ্দেশ্য প্ৰথম দিনাই সিদ্ধি হল। দ্বিতীয় দিনা তৃতীয় উদ্দেশ্য আগত লৈ ৮ মাইলমান দূৰৈত চিৰিং-পথাৰ নামে গাৱঁত ৺চিৰিং ফুকনৰ ঘৰত আলহী সোমালোঁগৈ। গৈ পাই, ক্ষন্তেকমান জিৰাই-শঁতাই উঠি, ঘৰৰ সেই সময়ৰ কৰ্ত্তা চেমনীয়া ফুকনদেৱত মোৰ চিনাকি চমুকৈ দি লৈ, মোৰ উদ্দেশ্যৰ কথা ব্যক্ত কৰিলোঁ। তেওঁ শুনা মাত্ৰকে দ্বিৰুক্তি নকৰি ওপৰ-চাঙৰপৰা নমাই আনি, মোৰ আগত সৰু চালপীৰা এখন পাতি, দুখন ডাঙৰ-দীঘল পুথি থলেহি। মই আগ্ৰহেৰে পুথি দুখনি মেলি চালোঁ। প্ৰথমখনি মেলি যাওঁতেই মোক শোকে খুন্দা মাৰি ধৰিলে, কিয়নো মই আহোম আখৰত কণা! অকল কণাই নহয়, অন্ধ!! দ্বিতীয়খনৰ পাতদিয়েক লুটিয়াই-মেলি চাবলৈ ধৰিলোঁ, কাৰণ সেইখনি অসমীয়া পুথিৰ আখৰেৰে লিখা। আৰু অলপপৰ ৰাপ লগাই পঢ়ি চাই উঠি, মই ডেকাফুকন দেৱত মোৰ অনুৰোধ জ্ঞাপন কৰিলোঁ, অনুগ্ৰহকৈ যেন কিছুমান দিনলৈ মোক পুথিখনি ধাৰলৈ দিয়ে। তেওঁ তেতিক্ষণে এই সমিধান দি উঠিল যে, সিবিলাকৰ ঘৰত থকা বুৰঞ্জীপুথিবিলাক, ঘাইকৈ মোক উলিয়াই দেখুৱা দুখন ঘৰৰপৰা বাজ নকৰিবলৈ তেওঁৰ স্বৰ্গীয় পিতৃপুৰুষৰ অনুজ্ঞা আছে; এতেকে পাৰ্য্যমানে তাতে পঢ়ি চাব পাৰোঁ, কিন্তু স্থানান্তৰ কৰিব নোৱাৰিম। গতিকে, অগত্যা যি পাৰোঁ তাতে পঢ়ি, লাগতিয়াল টোকা ধৰি লবলৈ বুলি মোৰ

জেপৰপৰা কাঠ-পেন্সিল লগা টোকা-বহি উলিয়াই লৈ নিবিষ্টমনেৰে পুথিখনিৰপৰা লাগতিয়াল তথ্য-সংগ্ৰহ যি পাৰোঁ টুকি লবলৈ ধৰিলোঁ; ইতিছেগতে মোৰ কাৰণে জা-জলপান দিছা কৰিবলৈ বুলি ফুকনদেৰ ভিতৰ সোমাল। টোকা ধৰোঁতে পুথিখনি পঢ়ি পঢ়ি মোৰ মন পুলকিত হৈ উঠিছিল, এৰিবলৈ মন নোযোৱা হৈছিল। কিন্তু, বেলি চাই, সেই ঠাই এৰিবৰ পৰ হল; গতিকে, লবাগৰিকৈ গৃহস্থক বিদায় লৈ, বেগাবেগিকৈ ওলটা-বাট ধৰিলো।

উলট বংপুৰত।—গোলাঘাট এৰি আহি শিৱসাগৰলৈ বুলি নেমেৰিটিং ঘাটত আকৌ জাহাজত উঠিলোঁ। পিচদিনা মাজতে ককিলামুখ আৰু দিখৌমুখ এই চিনাকি ঘাট দুটা এৰি গৈ ডুবৰীয়া মোৰ অতি পুৰণি সুখ-সোঁৱৰণীৰ থল দিচাংমুখ ঘাটত নামিলোঁগৈ। নামিয়েই, বাইদেউৰ মতনাই দি পঠিওৱা জলপান আৰু ভিনীহিদেৱে মোক নিবলৈ পঠিওৱা 'বতাহী' হাতী (সিজনী হাতীয়ে মোক কলিকতা যাত্ৰাত তিনি বছৰৰ আগেয়ে সেই ঘাটত বৈ গৈছিলহি) মোলৈ বাট চাই সাজু হৈ থকা পালোগৈ। দিচাংমুখ ঘাট তাহানিখনৰ মোৰ চালুকীয়া আৰু চেমনীয়া কালৰ বঙভূমিৰ দুৱাৰদলিৰ নিচিনা। তাত নমা মাত্ৰকে মোৰ অন্তৰত আনন্দৰ সোঁৱৰণী উপচি পৰিল। পুৰণুৱা হৈ আগুৱাঁওমানে পুৰণি পুৰণি যেন লাগি যায়, আৰু আগৰ বাল্যলীলাখেলাৰ কথা অযাচিতে সুমবিবলৈ ধৰো। এইভাৰে আৰু পাঁচ মাইলমান গৈ, নলগতে জিলিকি থকা আকাশস্পৰ্শী সোণৰ কলচীবে সৈতে শিৱদৌলৰ ত্ৰিশূলীয়া চূড়াটি দেখা পালো। সেই দেখা আৰু আগেয়ে অলেখবাৰ দেখাৰ মাজত বিপুল প্ৰভেদ। সেই শিৱদৌলৰ গগণস্পৰ্শী চূড়াদুষ্টিয়ে যেন বংপুৰৰ পুৰণি কীৰ্ত্তি পুৰণি গৌৱৰৰ চিৰজীবী স্মৃতি সমস্তকে মোৰ ক্ষুদ্ৰ অন্তৰত থিত্ দিয়াহেঁহি, এনে লাগিল। তাৰ পাচতো, পুলকিত চিতেৰে গৈ গৈ অসমৰ অদ্বিতীয় সুপ্ৰশস্ত ৰঙ্গাদিনীয়া 'ধাই-আলি'য়েদি বাট ধৰি টাউনত সোমালো গৈ। সেইদিনিতে হাতীবপৰা নামি, হাতী আগধৰি পঠিয়াই দি, মই আলিৰ দুয়োপাশে পুৰণি চিনাকি ঘৰ-বাৰীবোৰ চাই চাই খোজ কাঢ়ি যাবলৈ ধৰিলো; গৈ গৈ আমাৰ তাহানিৰ ছাত্ৰাবাস থকা (৺যজ্ঞেশ্বৰ শৰ্ম্মা) মুক্তিয়াপথাৰা আলিৰ পাকে ঘুৰিব লগীয়া হৈছোঁ, এনেতে সেই আলিমুখত ৰবগছজোপাৰ তলত উত্তৰমুখে গজেন্দ্ৰগমনেৰে আহি থকা পিতামহ ভীষ্মমনে আমাৰ সমাজৰ ঘাই ধৰণী ৺দীননাথ বেজবৰুৱা ডাঙৰীয়াক সাক্ষাৎ পালো। দেখি ভক্তিবে মোৰ অন্তৰ উপচি পৰিল। মই কেথোজমান আগবাঢ়ি গৈ তেখেতক সভক্তিবে সেৱা কৰিলো। তেখেতে হৰ্ষগদ্গদ স্বৰেৰে 'কুশল কবোক' বুলি আশীৰ্ব্বাদ দি সুধিলে, "কবপৰা ওলালাহি?" মই ক্ষীণকৈ উত্তৰ দিলো, "কলিকতাৰ পৰা।" তাৰ পাচত, ছনলমান তেখেতৰ পিচে পিচে ৺দুৰ্গেশ্বৰ শৰ্ম্মা পেশ্কাৰৰ (ইতিপূৰ্ব্বতে সুমবি অহা মোৰ মৰমৰ বন্ধু ৺দ্বাৰকেশ্বৰ শৰ্ম্মা 'বাপুটি'ৰ পিতৃ) ঘৰৰ আগৰ জপনামুখ পাইছোগৈ, তেনেতে তেখেতে উভতি মোলৈ চাই এই বুলি কৈ সোমাই গল, "মোৱা, এতিয়া জিবণি লোৱাগৈ; পাচে আকৌ দেখা পাম।" মই "ভাল" বুলিয়েই উত্তাৰল খোজেৰে আগবাঢ়ি গৈ মোৰ আচল জিবণিৰ ঠাই পালোগৈ। ৺দুলিমুবতে ভিনীহি দেৱক মোলৈ বাট চাই থকা দেখা পালোগৈ। কে মোজমান আৰু খবৰোজেৰে গৈ মই তেখেতক স্নেহভক্তিৰ সেৱা কৰিলো; তেখেতে মোক দাঙি ধৰি মুবত সুৰি চুমালে দুটি চুমা খাই এৰি দিয়াত, পোনচাটেই মই মোৰ চেনেহী বাইদেওৰ কোলাত আকৌ কেঁচুৱা উঠিলোগৈ।

—ক্ৰমশঃ

বৌদ্ধতীৰ্থ অমৰাৱতী

অমৰাৱতী ভাৰতবৰ্ষৰ এখন অতি-পুৰণি নগৰ। ই বিৰাৰ প্ৰদেশত কৃষ্ণানৈৰ দখিণ পাৰে অৱস্থিত। অমৰাৱতী বৌদ্ধশিক্ষাৰ ঘাই-কেন্দ্ৰ আছিল। বুদ্ধৰ ধাতুৰবোৰ ইয়াতে সংৰক্ষিত হৈছিল। অমৰাৱতীৰ



সপাৰ্ষদ বুদ্ধমূৰ্ত্তি

বৌদ্ধস্তূপবিলাক পৃথিৱী-বিখ্যাত। চীনদেশীয় পৰিব্ৰাজক হিয়েন চাঙে তেৰশ বছৰ আগেয়ে ৬৩৯ খৃঃত অমৰাৱতী দৰ্শন কৰি গৈছিলহি। জৈনধৰ্ম্ম আৰু ব্ৰাহ্মণ্যধৰ্ম্মৰ মাজত অমৰাৱতীত এখন তুমুল যুজ লাগে। যুজত জৈনধৰ্ম্মই



বৌদ্ধযুগৰ স্থাপত্যনিদৰ্শক বুদ্ধমূৰ্ত্তি

পৰাভৱ মানিছিল। বৌদ্ধধৰ্ম্মৰ পিছত হিন্দুধৰ্ম্ম অমৰাৱতীত সোমালত হিন্দুধৰ্ম্মই বৌদ্ধধৰ্ম্মৰ জেউতি সুমায় পেলায়। অমৰাৱতীত এটা হিন্দুমন্দিৰ ওলাইছে, তাক চাৰি হাজাৰ বছৰৰ আগৰ বুলি অনুমান কৰে। এই স্তূপটো ৰাজা বেঙ্কটাদ্ৰি নাইডুৱে ১৭৯০ খৃঃ শ'কত আৱিষ্কাৰ কৰে। মেকেঞ্জি ইলিয়ট্ আদি কবি প্ৰত্নতাত্ত্বিকসকলে স্তূপটো পৰীক্ষা কৰি চাইছে।



শিলৰ স্তম্ভত ক্ষোদিত নাগৰ মূৰ্ত্তি

অমৰাৱতীয়ে প্ৰাচীন ভাৰতৰ দীঘলীয়া বুৰঞ্জী বুকুত সাৱটি লৈ আছে। অমৰাৱতী শিল্পকলাৰ এখন সবাতো আগেয়ে নাম লবলগীয়া নগৰ। শিল্পকলা আৰু বুৰঞ্জীৰ ছাতৰে অমৰাৱতীত লাগতিয়াল সমল গোটাই আমাৰ চিত্ৰশিল্প আৰু বুৰঞ্জীৰ অপূর্ণ অঙ্গবোৰ পুৱাব পাৰে।

কোনো কোনো পণ্ডিতৰ মতে বৌদ্ধধৰ্ম্মীসকলেহে হেনো গোন্-প্ৰথমে ভাৰতত আনধৰ্ম্মী মানুহক আপোন

ধৰ্ম্মটৈ তোলা প্ৰথাটো উলিয়ায়। বৌদ্ধধৰ্ম্মৰ প্ৰচাৰকসকল অমৰাৱতীৰপৰা সুদূৰ চীন, জাভা, ব্ৰহ্মদেশ আৰু লংকালৈ গৈছিল। তেওঁলোকে তেওঁলোকৰ সেই সেই ঠাইত কৰা কামৰ বিপোট অমৰাৱতীত দাখিল কৰিব লাগিছিল। তেতিয়াৰ দিনত দেশ ভ্ৰমণ কৰিবলৈ বেল-জাহাজ একো নাছিল। মানুহে গোজ কাঢ়ি কিমান দূৰলৈ গৈছিল, ভাবিলে আচৰিত হব লাগে। তাতোকৈ আচৰিত হব লাগে নিজৰ ধৰ্ম্মৰ প্ৰতি প্ৰগাঢ় অনুৰাগ দেখি, ইমান দূৰলৈলৈ গৈও তেওঁলোকে নিজৰ ধৰ্ম্মৰ পোহৰেৰে দেশ-দেশান্তৰৰ মানুহক নিজৰ ধৰ্ম্মৰ ভিতৰলৈ বাট দেখুৱাই লৈ আহিছিল। আজি আমাৰ প্ৰচাৰৰ নানা সুবিধা থকাচত্তেও কাঁহিৰ আগৰ নানান জাতিক প্ৰলোভন আৰু বংচং দেখুৱাই পাছৰিসকলে সৃষ্টান কৰিছে, বঙালী সকলে বঙালী কৰিছে, ভিন্‌দেশীয় মৌল্লা-মৌলৱীসকলে নিৰীহ মছলমানসকলৰ কাণত সাম্প্ৰদায়িক মন্ত্ৰ বিহ ঢলাদি ঢালিব লাগিছে। তথাপি সেইবোৰলৈ চাওঁতা আমাৰ কোনোবা আছে নে? সদিয়ৰ পৰা কৰতোয়ালৈকে গোটেই ভূমিখণ্ড লগ লগাই বৰ-অসম বা অখণ্ড অসম গঢ়িবলৈ এতিয়া লিখালিখি হব ধৰিছে। ই এটা বাজনৈতিক কথা। বজাঘৰপৰা সহায় নাপালে ই কেৱল অবণ্যত বোদনৰ দৰে হে হব। বাজনীতি বিষয়ত আমাৰ দেশ সিমান আগবঢ়া নহয় যে প্ৰবল জনমত গঠন কৰি গৱৰ্ণমেণ্টৰ ভেঁটি কঁপাই তুলিব পাৰোঁ। আন



দাক্ষিণাত্যত সাপপূজাৰ নিদৰ্শন



ছুয়োফালে ধোঁৱা অঙ্কিত থকা স্তম্ভৰ মুৰৰ ভাগ

এটা উপায় সাহিত্য প্ৰচাৰ। কিন্তু সাহিত্য প্ৰচাৰৰ দ্বাৰা কিবা এটা মত গঠন কৰিব লাগিলে দেশৰ মানুহৰ শিক্ষিতৰ সংখ্যা সবহ হব লাগে। দুখৰ বিষয় আমাৰ দেশত শতকৰা ৬জন কি ৭জনৰ বেছি শিক্ষিত লোক নহব। এই বিৰাট নিৰক্ষৰ জনসমুদ্ৰক সাহিত্য প্ৰচাৰৰ



গ্ৰীক্ আদৰ্শেৰে সাজ লোৱা প্ৰতিমূৰ্ত্তি

দ্বাৰা আলোড়িত কৰা উজু কথা নহয়। কিন্তু অসমীয়া মানুহ অতিকৈ ধৰ্ম্মভীৰু। সেই কাৰণেহে ওপৰত কোৱা বঘুমলাকপী পাছুবী, বঙালী আৰু মোল্লা-মৌলৱীসকলে ধৰ্ম্মৰ

নামত অসমৰ কেতবোৰ জাতিক বিধৰমী আৰু সাম্প্ৰদায়িক কৰি তুলিছে। আমিও ধৰ্ম্ম-সংঘ এটা পাতি প্ৰচাৰকাৰ্য্য আৰম্ভ কৰিব পাৰিলে অথণ্ড অসম গঢ়া কল্পাঘুমটৰ কল্পনা বাস্তৱত পৰিণত হব, শঙ্কৰ-'মিশ্ৰন' গঠন কৰিব খোজা সকলে কথাষাৰ গমি চায় যেন।

জৈনৰাজা "ত্ৰিনয়ন" পল্লৱে অমৰাৱতীত বাজধানী পাতিছিল। তেওঁৰ পিছত খৃঃ ১ম শতিকালৈ জৈন বাজাসকলে অমৰাৱতীত বাজত্ব কৰিছিল। তাৰ অনেক কাল পিছত অমৰাৱতী ভেঙী বাজাৰ বাজধানী হৈছিল।

অমৰাৱতীত বৌদ্ধ আশ্ৰম কোনে স্থাপন কৰিলে



গ্ৰীচৰ পাণ্ডিপলিছৰ স্তম্ভৰ আহিবে মুকত সিংহমূৰ্ত্তি অঙ্কিত কৰা অমৰাৱতীৰ স্তম্ভ

সেই সম্বন্ধে ভিন ভিন পণ্ডিতৰ বেলেগ বেলেগ মত। কোনো-কোনোৱে অশোকৰ দিনত বুলি কয়। কোনো-কোনোৱে আকৌ নাগার্জ্জুনৰ দিনত বুলি হে কয়। ভিন্সেণ্ট স্মিথে কয় যে ১৬২ খৃষ্টাব্দ হুবিষ্ক (Huviksha)ৰ বাজত্ব কালত বৌদ্ধ-আশ্ৰমৰ বাহিৰৰ ভাগ সজা হৈছিল। ফিৰেন চাহে তেওঁৰ বিবৰণীত লিখিছে যে আশ্ৰম দুখন আছিল (The Eastern and the Western)।

প্ৰত্নতাত্ত্বিকসকলে অনুমান কৰে যে অমৰাৱতীৰ শিল্পকলাৰ ওপৰত গ্ৰীক্ প্ৰভাৰ আছে। আন এটা তথ্যৰপৰা জনা যায় যে পাৰ্শীয় প্ৰভাৱো অমৰাৱতী শিল্পকলাৰ ওপৰত পৰিছে।

অমৰাৱতী এতিয়া এখন আন্ধাৰ গাওঁ। ই এতিয়া এখন চৰণীয়া পথাৰ হৈ পৰিছে। পৰ্যটকসকল তাৰলৈ



অমৰাৱতীৰ হিন্দুমন্দিৰৰ বেদী

যায় কিন্তু অমৰাৱতীৰ অতীত গৰিমাৰ বিষয়ে তেওঁলোকে কেৱল কল্পনাহে কৰিব পাৰে। অমৰাৱতীত অসংখ্য ভগ্নাৱশেষ আছে। শিলালিপি আৰু ক্ষোদিত মূৰ্ত্তিও অসংখ্য আছে। শিলালিপিবোৰৰ কিছুমান পালি ভাষাত লিখা। ক্ষোদিত মূৰ্ত্তিবোৰ বুদ্ধ আৰু তেওঁৰ ধৰ্ম্ম বিষয়ৰ। লিপিবোৰ বহু ঠাইত অস্পষ্ট হৈছে—পঢ়িব নোৱাৰি। মূৰ্ত্তিবোৰৰ সবহ ভাগ ভাগি গৈছে। তথাপি ভগ্নাৱশেষৰ মাজৰপৰা প্ৰাচীন ভাৰতত শিল্পকলাৰ উন্নততম অৱস্থাৰ ছবি ভাহি উঠে।



অমৰাৱতীৰ স্থাপত্যনিদৰ্শক বুদ্ধৰ বিশিষ্টতম সিংহাসন

গ্রীক মহাকবি হোমাৰৰ ওডিচি

(৩য় সংখ্যাৰ পিছত পৰা)

—শ্রীযুত অম্বিকাপ্রসাদ গোস্বামী, বি-এল

দ্বিতীয় অধ্যায়

টেলিমেকাচৰ ভ্রমণকাহিনী

লাহে লাহে টেলিমেকাচ পাইলচ্ দেশৰ বুঢ়া ৰজা নেষ্টৰৰ ৰাজধানী পালেহি। তেওঁলোকে যেতিয়া তেওঁৰ ৰাজধানীতে উপস্থিত হ'ল, তেতিয়া বুঢ়া ৰজাই সমুদ্ৰ দেৱতা নেপচুনৰ উদ্দেশ্যে এখন ডাঙৰ ভোজ পাতি ভোজ খাব বহিছে, আৰু তেওঁক চাবিওপিনে তেওঁৰ নাতিয়েকহঁতে বেৰি আছে। লগৰীয়াসকলে সৈতে টেলিমেকাচে দুৱাৰমুখ পাওঁতেই, কোনো প্ৰশ্ন নকৰা কবি তেওঁৰ সুমলীয়া পুতেক পিচিষ্ট্ৰেটচে ভোজৰ পৰা উঠি আহি তেওঁলোকক আদৰ সাদৰ কৰি নি ভোজত বহুৱালে আৰু প্ৰথমেই মেণ্টৰক এগিলাচ মদ দিলে। তাৰ পিছত ভোজ খোৱা সকলোৱে নেপচুনৰ ওচৰত এটি প্ৰাৰ্থনা কৰিলে আৰু সেই প্ৰাৰ্থনাত নতুন অতিথি সকলকো যোগ দিব অনুৰোধ কৰিলে। কাৰণ তেওঁলোক যেয়ে হক, সকলোৱে প্ৰাৰ্থনা কৰিব লাগে। প্ৰাৰ্থনা শেষ হোৱাত অতিথিসকল চৰ্ব্বা-চুষ্য-লেহ্য-পেয় দি সন্তুষ্ট কৰিলে। তেওঁলোকৰ খোৱা শেষ হোৱাত হে বুঢ়া নেষ্টৰে তেওঁলোকৰ চিনাকি লবৰ উদ্দেশ্যে প্ৰথমে সুধিলে তেওঁলোক জলদস্যু হয় নে নহয়। তেতিয়া টেলিমেকাচে নিজৰ নাম আৰু পৰিচয় দি তেওঁৰ পিতাকৰ বিষয়ে কি জানে সুধিলে।

তেতিয়া নেষ্টৰে ট্ৰয়ান যুদ্ধৰ বিষৰণ আৰম্ভ কৰি একিলিজ, পেট্ৰোক্লাচ আৰু তেওঁৰ পুতেক এণ্টিলোকাচৰ মৃত্যুৰ কথা কৈ শেহত কলে যে যুদ্ধৰ শেহত দেৱতাসকলে গ্ৰীক্ বীৰসকলৰ ভিতৰত আন্দোলনৰ সৃষ্টি কৰিলে, আৰু সেই বিবাদৰ ফলত গ্ৰীক্ নৌ-বাহিনী দুই ভাগত বিভক্ত হ'ল। মেনিলচে পোনেই এভাগ লৈ স্বদেশ বুলি যাত্ৰা কৰিলে, বাকীখোৰ তেতিয়া নাহিল। দেৱতাসকলক সন্তুষ্ট কৰিবৰ উদ্দেশ্যে তেওঁলোকে কিছুদিন ট্ৰয় দেশত থাকি পূজা দিবৰ মনেৰে বৈ গ'ল। ইউলিচিচে প্ৰথমে মেনিলচৰ লগত যাত্ৰা কৰিছিল কিন্তু অলপ গৈয়ে তেওঁ ফিৰি আহি সম্ৰাট এগেমেম্ননৰ লগ লাগিল। তাৰ পিছত ইউলিচিচৰ কি হ'ল তেওঁ একোকে নাজানে। অৱশেষত তেওঁ টেলিমেকাচক সান্ত্বনা দি কলে যে দেবী মিনার্ভাৰ ইউলিচিচৰ ওপৰত যেনে অনুগ্ৰহ যদি তেনে অন্যায় তেওঁৰ পুতেকৰ ওপৰতো আছে, তেনেহলে টেলিমেকাচৰ হতাশ হবৰ কোনো কাৰণ নাই। যদিওবা এতিয়া তেওঁ বিপদত পৰিছে তথাপি শেহত তেওঁৰ নিশ্চয় মঙ্গল হব।

তেতিয়া টেলিমেকাচে সম্ৰাট এগেমেম্ননৰ মৃত্যুৰ কথা সোধাত নেষ্টৰে তেওঁৰ কৰুণ মৃত্যু-কাহিনী বহুলাই কলে। যুদ্ধৰ বাবে দহ বছৰ সম্ৰাট বিদেশত ঘুৰি ফুৰাত তেওঁৰ বাণীৰ চৰিত্ৰ বেয়া হ'ল। বাণীৰ নাম আছিল ক্লাইটেম্ন্ট্ৰা আৰু তেওঁ হেলেনৰ ভনীয়েক আছিল। এই সুবিধাকে ইজিষ্টাচ্ নামে সম্ৰাটৰ এজন বহুত দূৰ সম্পৰ্কীয় ভাইৰৰ লগত বাণীৰ গুপ্ত প্ৰণয় হ'ল। এগেমেম্ননে যুদ্ধলৈ যাত্ৰা কৰি ওলোৱাৰ সময়ত তেওঁৰ ঘৰছুৱাৰ সকলোকে তেওঁৰ বুঢ়া চাবণ এজনক সঁপি দি গৈছিল। চাবণে এই বিশ্বাসঘাতকতাৰ আৰু বাণীৰ অসৎ চৰিত্ৰৰ কথাৰ গম পাই নানা ৰকমে বুজাই বাণীক সৎপথলৈ আনিব বহু চেষ্টা কৰিলে, কিন্তু সকলো বিফল হ'ল। এই বিশ্বাসী বৃদ্ধজন জীয়াই থাকোমানে ক্লাইটেম্ন্ট্ৰাক সম্পূৰ্ণ ৰকমে কৰায়ত্ত কৰিব নোৱাৰিব আৰু নিজেও বজা হব নোৱাৰিব বুলি ভাবি মহুহ গণাই বিশ্বাসী চাবণজনক এথন মকভূমিলৈ নি তাত অকলে এৰি থৈ আহিল। বুঢ়া ভোকে-পিয়াহে সেই মকভূমিত মৰিল। বুঢ়া মৰাত বাণী সম্পূৰ্ণৰূপে ইজিষ্টাচৰ বশ হ'ল আৰু তেতিয়া ইজিষ্টাচে ৰাজপাটত বহি ৰজা হ'ল।

অৱশেষত ট্ৰোজান যুদ্ধৰ পৰা সম্ৰাট এগেমেম্ননে উভতি আহি নিজ ৰাজ্য মাইচিনত ভবি দিলে। তেওঁ ইমান দিনৰ পিছত নিজৰ জন্মভূমি দেখি ইমান আনন্দিত হৈছিল যে জাহাজৰ পৰা বামত ভবি দিয়েই তেওঁ মাটিত আঠু কাঢ়ি মাটি চোধবকৈ চুমা খাই চকুৰ পানী টুকিব ধৰিলে। ইপিনে বিশ্বাসঘাতক ইজিষ্টাচৰ গুপ্তচৰ সদায় সাগৰৰ পাৰৰ ওৰ ঠাইত থিয় দি দিনে-ৰাতিয়ে পহৰা দি আছে, সন্দেহ কিজানি কেতিয়াবা তেওঁ গম নোপোৱাকৈ সম্ৰাট দেশলৈ উভতি আহি তেওঁৰ গুপ্তচৰ উপযুক্ত প্ৰতিশোধ লয়। যুৱ পৰা গুপ্তচৰে সম্ৰাটক জাহাজৰ পৰা নমা দেখা পায়ে ইজিষ্টাচক খবৰ দিলেগৈ। এই খবৰ পাই ইজিষ্টাচে এক ভীষণ ষড়যন্ত্ৰ কৰিলে,—কুবিজন ৰব বলী আৰু সাহসী যোদ্ধা বাছি লৈ সিহঁতক তেওঁ এঠাইত লুকাই থলে আৰু তাৰে ওচৰতে এটা ডাঙৰ ভোজৰ যোগাৰ কৰিব দিলে। তাৰ পিছত তেওঁ ৰব আৰু খোৱা লৈ সম্ৰাটক আগ বঢ়াই আনিব গ'ল। সম্ৰাটক মিঠা কথাবে আদৰ অভ্যৰ্থনা কৰি আগ বঢ়াই আনি ভোজত বহুৱাই দিলে। কোনো সন্দেহ নকৰি সম্ৰাট ভোজত বহিল। ভোজ খাই থাকোতে ইজিষ্টাচে সেই লুকাই থোৱা মানুহ কেজনে সৈতে লগ লাগি তেওঁক নিৰ্দ্দয়ভাৱে হত্যা কৰিলে।

সাত বছৰ মাত্ৰ বিশ্বাসঘাতকে মাইচিন্ দেশত নিৰ্ব্বিঘ্নে ৰাজ্য কৰিব পাৰিলে। এগেমেম্ননৰ পুতেক অৰিষ্টচক তেওঁৰ বায়েকে সেই পাপপুৰীৰ পৰা পলুৱাই নি এথেন্সত ডাঙৰ দীঘল কৰিছিল। সম্ৰাটৰ মৃত্যুৰ সাত বছৰ পিছত তেওঁ নিজৰ ৰাজ্যলৈ উভতি আহি পিতৃহন্তা ইজিষ্টাচ্ আৰু বিশ্বাসঘাতিনী মাতক হত্যা কৰি পিতৃঋণ শোধ কৰিলে আৰু নিজে ৰাজপাটত বহিল।

নেষ্টৰৰ কথা শেষ হোৱাত, তেতিয়াই টেলিমেকাচে সাগৰৰ পাৰত খোৱা তেওঁৰ নাৱৈলৈ উভতি আহিব ওলাল কিন্তু বুঢ়াই কোনোৰকমে বন্ধু-পুত্ৰক এৰি নিদিয়ে। বাতিটো ৰাজপুৰীতে থাকিব ৰবকৈ অনুৰোধ কৰিলে। যেতিয়া মেণ্টৰৰ ৰূপ ধৰি থকা দেৱী মিনার্ভাই নেষ্টৰৰ কথা বাৰিবলৈ টেলিমেকাচক উপদেশ দি, নিজমূৰ্ত্তি ধৰি পাখি মেলি উৰি গ'ল। তেতিয়াহে সকলোৱে জানিলে যে ইমান দিনে মেণ্টৰৰ ৰূপ ধৰি স্বয়ং দেৱী মিনার্ভাই হে টেলিমেকাচক বাট দেখুৱাই আনিছে। তেতিয়া সোণেৰে শিং বন্ধোৱা চেউৰী পোৱালী এজনী মিনার্ভাৰ উদ্দেশ্যে বলি দি আৰু এখন ডাঙৰ ভোজ পাতিলে। এইখন ভোজো শেষ হোৱাত হে নেষ্টৰে টেলিমেকাচক বিদায় দিলে।

অৰবিস্তৃত পাৰ্গত নেষ্টৰে তেওঁৰ পুতেক পিচিষ্ট্ৰেটচক ঘোৰাশালৰ পৰা দুটা ৰব বেগী আৰু বলৰান ঘোৰা বাছি দিলে। পুতেকে নিজে সেই ঘোৰা বগৰা জুবি, ৰাটত খাবলৈ ৰথত ৰব ভাল ভাল মদ আৰু খোৱা বস্তু ভৰাই ললে। তাৰ পিছত তেওঁ নিজে সাৰথি হৈ নতুন বন্ধু টেলিমেকাচক ৰথত বহুৱাই লৈ স্পার্টাদেশ বুলি ৰথ চলাই দিলে। প্ৰথম দিনা ৰাতি তেওঁলোকে নেষ্টৰৰ বন্ধু ডায়োক্লাচৰ অতিথি হৈ তাৰ পিছদিনা গোটেই দিন ৰথ চলাই সন্ধ্যা সময়ত স্পার্টা দেশৰ ৰাজধানী পালেহি।

পাইলচ্ দেশৰ দৰে স্পার্টাৰ ৰাজমন্দিৰতো সেই দিনা মহাউৎসৱ আৰু উৎসৱ চলি থাকোতেই তেওঁলোকে ৰাজপুৰী পালেহি। ৰাজপুৰীৰ বিচিত্ৰ শোভা দেখি টেলিমেকাচ মুগ্ধ হল। এনে সৌন্দৰ্য্য টেলিমেকাচে ইতিপূৰ্ব্বে ক'তো দেখা নাই। ঘৰৰ মুখদোৱৰ ৰব ওখ, তাৰ পৰা চন্দ্ৰ-সূৰ্য্যৰ পোহৰৰ দৰে পোহৰ ঘৰৰ মজিয়াত পৰিছে। ঘৰটো সোণ, ৰূপ, হাতীদাঁত আদি বহুমূলীয়া বস্তুৰে সুসজ্জিত, বাচন-বৰ্ত্তন-সকলো সোণ আৰু ৰূপৰ।

সেইদিনা ৰাজপুৰীত দুখন বিয়া, হেলেনৰ গৰ্ভজাত জাৰমিয়নৰ লগত মহাবীৰ একিলিজৰ পুতেক নিয়োষ্টোলিমাচৰ কাক মেনিলচৰ বান্দীৰ গৰ্ভত জন্ম হোৱা পুতেক মেগাপেণ্টিচৰো সেই দিনাখনেই বিয়া। ৰাজমন্দিৰত নাচ গান বাজনা চলিব লাগিছে, এনে সময়ত টেলিমেকাচ আৰু

পিচিষ্ট্রেটচ্ দুৱাৰমুখত থিয় দিলে। মেনিলচে নেষ্টৰৰ দৰে তেওঁলোকক কোনো কথা নোসোধাকৈয়ে অভ্যৰ্থনা কৰি ভিতৰলৈ নি গা ধোৱাৰ যোগাৰ কৰি দিলে। তাৰ পিছত তেওঁলোকক প্ৰচুৰ পৰিমাণে ভাল ভাল মদ আৰু খাদ্য দি অভ্যৰ্থনা কৰিলে আৰু ৰথৰ পৰা ঘোঁৰা কেইটা মেলাই নি সিহঁতকো বেছকৈ দানাপানী খুৱালে। ঘোৰাবিলাকক দানা-পানী দিয়া হোৱাত আৰু অতিথি দুজনেও ভালকৈ খাই-বৈ উঠি জিৰণি লোৱাৰ পিছতহে মেনিলচে তেওঁলোকৰ লগত কথা-বতৰা পাতিলে।

অতিথিসকলৰ পৰিচয় লোৱাৰ আগতে মেনিলচে তেওঁৰ নিজৰ ভ্ৰমণকাহিনী আৰম্ভ কৰিলে। ট্ৰয়নগৰ ধ্বংস হোৱাৰ পিছত ইউলিচিচৰ দৰে তেৱোঁ আঠ বছৰ বহুদেশ ভ্ৰমি ভ্ৰমি হে নিজ ঘৰ পাইছে। বাট হেৰুৱাই ঢৌৰ কোবত চাইপ্ৰাচ কোত্ৰনিচ, ইজিপ্ট, চিডন্, ইথিওপিয়া, এৰেম্বাচ আৰু লিবীয়া আদি কৰি বহুত ঠাইত তেওঁৰ জাহাজ লাগিব বাধ্য হৈছিল। লিবীয়াদেশত ভেৰাৰ পোৱালীবোৰ শিঙে সৈতে জন্মে আৰু বছৰৰ ভিতৰত ভেৰীবোৰে তিনি বাৰকৈ পোৱালি দিয়ে। এনেকৈ ভ্ৰমি ভ্ৰমি তেওঁ অভিজ্ঞতা লাভ কৰিছে আৰু এতিয়া সুখীও হলহেতেন, কিন্তু তেওঁ তেওঁৰ ককায়েক সম্ৰাট এগেমেম্ননৰ শোচনীয় মৃত্যুত বৰ শোক পাইছে আৰু তেওঁৰ বন্ধু আৰু যুদ্ধৰ লগৰীয়া ইউলিচিচৰ আজিপৰ্য্যন্ত কোনো খবৰ নাপাই বৰ ব্যাকুল হৈছে। শেহত কলে, ইউলিচিচৰ কথা কি কম? তেওঁৰ ভাগ্যত লিখিছে অশেষ যন্ত্ৰণা ভোগ কৰা আৰু মোৰ ভাগ্যত দিনে-ৰাতিয়ে তেওঁৰ কথাকে মনত কৰি শোক কৰি থাকা। দিন যায় মানে তেওঁৰ খবৰ নাপাই মই অশেষ যন্ত্ৰণা ভোগ কৰিব লাগিছোঁ; ইপিনে বুঢ়া লেইষ্ট্ৰচ, তেওঁৰ সতী পত্নী পেনিলোপি আৰু কেঁচুৱাতে এৰি যোৱা তেওঁৰ পুতেক টেলিমেকাচে তেওঁৰ খবৰ নাপাই শোক কৰিব লাগিছে।

বাপেকৰ কথা মনত পৰাত পুতেকে মনৰ দুখত চকুৰ পানী টুকিব ধৰিলে আৰু কিছু সময় চকুত কাপোৰ দি মনে মনে বহি থাকিল। ঠিক এনে সময়তে সুন্দৰী ৰাণী হেলেনে তেওঁৰ অনুচৰীসকলে সৈতে সেই ঘৰ সোমাল। তেওঁ তৎক্ষণাৎ টেলিমেকাচক চিনি পালে। ট্ৰয়লৈ গুপ্তচৰ হৈ ফটাকাপোৰ পিন্ধি যাওঁতেও যেনেকৈ হেলেনে ইউলিচিচক তৎক্ষণাৎ চিনি পাইছিল এতিয়াও বুদ্ধিমতী হেলেনে উইলিচিচৰ আকৃতিৰ লগত টেলিমেকাচৰ বহুতো সাদৃশ্য দেখি, টেলিমেকাচক ইউলিচিচৰ লৰা বুলি অনুমান কৰিলে। এই কথা ৰজা মেনিলচক উনুকিয়াই দিয়াত, আৰু মেনিলচেও ইউলিচিচৰ নাম কোৱাত টেলিমেকাচৰ চকুৰ পানী ওলোৱাই তেৱোঁ তেনে অনুমান কৰিলে। তেতিয়া পিচিষ্ট্ৰেটচে ৰজাৰ আগত টেলিমেকাচৰ চিনাকি দি তেওঁৰ স্পাৰ্টাদেশলৈ অহাৰ কাৰণ তেওঁৰ আগত কলে। তেতিয়া টেলিমেকাচক বন্ধু-পুত্ৰ বুলি জানি মেনিলচে তেওঁক বৰ আদৰ সাদৰ কৰিলে। ৰজাই কলে যে আজি আৰু কোনোৰকমে টেলিমেকাচৰ মনত দুখ দিব পাৰা নাযাব। কিন্তু ভোজ চলি থাকে মানে সকলোৱে ঘূৰি ঘূৰি লগ হৈ ইউলিচিচৰ কথা হে কব ধৰিলে। সুন্দৰী হেলেনে দেশ ভ্ৰমণৰ সময়ত ইজিপ্ট দেশত এটি বৰ আচৰিত গুণ থাকা দৰৱ শিকিছিল। এতিয়া তেওঁ সেই দৰৱ এপালি মদৰ লগত মিহলাই টেলিমেকাচক খাব দিলে। সেই দৰৱটোৰ বৰ আচৰিত গুণ, তাক খোৱা মাত্ৰেই মানুহৰ মনৰ পৰা সকলো দুখ শোক আঁতৰি যায়, চিৰকলীয়া মানসিক অশান্তি আৰু শোকো নোহোৱা হয়। সেই দৰৱ পালি খোৱাৰ পিছত এনেকি যদি তেওঁৰ আগতে তেওঁৰ মাকো মৰে, বা ভায়েক বা পুতেকক কোনোবাই নিৰ্দ্দয়-ৰূপে হত্যা কৰে তথাপি তেওঁ ওচৰতে অলপো দুখ নকৰি নিৰ্ব্বিকাৰ মনেৰে বহি থাকে। এনে আচৰিত শক্তি সেই দৰৱৰ।

সেই দৰৱৰ আচৰিত শক্তি পিছদিনা ৰাতিপুৱাহে টেলিমেকাচৰ গাৰ পৰা নোহোৱা হ'ল আৰু তেতিয়াহে কি কাৰণে স্পাৰ্টা দেশলৈ আহিছে সোইটো তেওঁৰ মনত পৰিল। তেতিয়া মেনিলচক বাপেকৰ বিষয়ে কি জানে সোধাত মেনিলচেও তেওঁৰ বিষয়ে বৰ বেছি সঠিককৈ একো কব নোৱাৰিলে। কেৱল মাত্ৰ এইখিনিকে কলে যে ইউলিচিচ্ যে এতিয়াও জীয়াই আছে তাৰ অকণো সন্দেহ নাই। তেওঁ এতিয়াও মায়াবিনী ফেলিপ্সোৰ

হাতত বন্দী হৈ আছে, কি অলপতে উদ্ধাৰেই হ'ল তেওঁ সঠিক নাজানে। ফেলিপ্সো তেওঁৰ ৰূপ গুণত মুগ্ধ হৈ তেওঁৰ প্ৰেমত পৰিছে আৰু ইউলিচিচৰ ঘোৰ অনিচ্ছা স্বত্বেও প্ৰেমৰ প্ৰতিদান পাম বুলি তেওঁক বন্দী কৰি ৰাখিছে। তেওঁ নিজৰ দেশৰ বাবে সদাই হা হুমুনিয়াহ কাঢ়িব লাগিছে, কিন্তু মায়াবিনী ফেলিপ্সোৰ মায়াশক্তিক তেওঁ বলে পাৰা নাই।

ইউলিচিচৰ বিষয়ে এই যৎসামান্য খবৰো তেওঁ বৰ আচৰিত ৰকমেহে জানিব পাৰিছে। ইজিপ্ট দেশৰ ফাৰোজ বুলি ঠাই এডোখৰত সাগৰৰ বুঢ়া মানুহ প্ৰোটিয়াচ্ বাস কৰে। তেওঁ ভূত ভবিষ্যত সকলো কথাকে জানে। ট্ৰয় দেশৰ পৰা ফিৰি আহোঁতে বতাহে কোবাই যেতিয়া তেওঁৰ জাহাজ ইজিপ্ট দেশলৈ নিয়ে তাতে তেওঁ প্ৰোটিয়াচক লগ পাইছিল, প্ৰোটিয়াচে সহজে একো নকয়, ফিকিৰ কৰি হে তেওঁক হাত কৰিব পাৰা গৈছিল। প্ৰোটিয়াচৰ জীয়েক ইডোথিয়াই দয়া কৰি কেনেকৈ বাপেকৰ পৰা ভবিষ্যত জানিব পাৰা যাব কৈ দিয়াত হে তেওঁলোকে সেই বুদ্ধি পাইছিল। প্ৰোটিয়াচে সদায় দুপৰীয়া চিল মাছৰ ছাল লৈ, সাগৰৰ পাৰৰ পাহাৰৰ ছাঁত শুবলৈ আহে। এদিন মেনিলচে কেইজনমান মানুহে সৈতে চিল মাছৰ ছালপাত লৈ প্ৰোটিয়াচে দুপৰীয়া শোৱা ঠাইৰ ওচৰতে লুকাই থাকিল। সাগৰৰ পাৰত উঠি আনদিনাৰ দৰে যেতিয়া প্ৰোটিয়াচ্ টোপনি গল, তেতিয়া লগৰীয়া কেইজনে সৈতে মেনিলচে তেওঁক হেঁচা মাৰি ধৰিলে। তেতিয়া প্ৰোটিয়াচে নানাৰকম ভয়ানক মূৰ্ত্তি সলাব ধৰিলে, কিন্তু মেনিলচে আৰু তেওঁৰ লগৰীয়াসকলে অলপো ভয় নকৰি কোনো ৰকমে তেওঁৰ গাৰ পৰা এৰি নিদি, হেঁচা মাৰি ধৰি থাকিল। অৱশেহত দেৱতাই মানুহৰ হাতত পৰাজয় হল বুলি স্বীকাৰ কৰি নিজ মূৰ্ত্তি ধৰিলে আৰু পুৰস্কাৰ স্বৰূপে তেওঁৰ আৰু তেওঁৰ লগৰীয়াসকলৰ ভবিষ্যত সম্বন্ধে মেনিলচে যি প্ৰশ্ন কৰিব তাৰে সঠিক্ উত্তৰ দিবলৈ গাত ললে। প্ৰোটিয়াচৰ মুখৰ পৰাই তেওঁ ককায়েক এগেমেম্ননৰ শোচনীয় মৃত্যু আৰু মায়াবিনী ফেলিপ্সোৰ হাতত ইউলিচিচ্ বন্দী হোৱা কথা জানিব পাৰিছে। তেওঁৰ নিজৰ বিষয়ে প্ৰশ্ন সোধাত প্ৰোটিয়াচে কলে যে তেওঁক দেৱতাসকলে বৰ ভাল পায়, আৰু সেইবাবে তেওঁ সকলো বিপদৰ পৰা উদ্ধাৰ হব। অৱশেষত পৃথিবীৰ এমূৰত, য'ত পাপপুণ্যৰ বিচাৰক "ৰাধা মন্থচ্" স্বয়ং বাস কৰে আৰু মানুহে নিশ্চিন্তমনে সহজে দিন কটায়, য'ত জাৰজহ ধুমুহা-বৰষুণ নাই আৰু মানুহক সুখ দিবৰ নিমিত্তে সদায় মলয়া বতাহ বৈ থাকে, সেই ইলিচিয়ান্ দেশলৈ দেৱতাসকলে তেওঁক পথাব।

মেনিলচে তেওঁৰ বন্ধুৰ পুতেকক আৰু কেইদিনমান আদৰ সাদৰ কৰি ৰাখিলেহেঁতেন, কিন্তু টেলিমেকাচে পাইলচ্ দেশতেই তেওঁৰ নাও এৰি আহিছে, আৰু তালৈ সোনকালে উভতি যাবৰ নিমিত্তে বৰ উদ্বিগ্ন হ'ল। তেতিয়া অনিচ্ছাস্বত্বেও মেনিলচে তেওঁক বহুত উপহাৰ দি বিদায় দিলে। মেনিলচে বৰ আগ্ৰহেৰে মৰম কৰি এখন ৰথ আৰু তিনটা ভাল ঘোৰা উপহাৰ দিছিল, কিন্তু টেলিমেকাচে সেই উপহাৰ গ্ৰহণ নকৰিলে; কাৰণ ইথাকা পৰ্ব্বতীয়া দেশ, তাত ৰথ চলাবৰ উপযুক্ত ঠাই নাই।

ইপিনে ইথাকাৰ ৰাজপুৰীত মহা হুলস্থূল। যেতিয়া ৰাজপুৰীৰ সকলোৱে জানিলে যে টেলিমেকাচ নাই তেতিয়া এণ্টিনচ্ আৰু তেওঁৰ লগৰীয়াবোৰ বৰ আচৰিত হ'ল আৰু ইয়াৰ ফল কি হব পাৰে সেইটো ভাবি চিন্তি তেওঁলোকৰ বৰ ভয়ো লাগিল। তেতিয়া সিহঁতে এটা ষড়যন্ত্ৰ কৰিলে। এণ্টিনচে এখন নাৱত মানুহ-দুনুহ লৈ টেলিমেকাচক বিচাৰি যাব আৰু ফিৰি আহোতে তেওঁক বধ কৰিব। এই ষড়যন্ত্ৰৰ কথা ৰজাৰ বিশ্বাসী চাৰণ মেডোনোৱে কেনেবাকৈ জানি মনে মনে পেনিলোপিৰ আগত প্ৰকাশ কৰাত হে তেৱোঁ তেতিয়া টেলিমেকাচ কৰবালৈ যোৱা কথা প্ৰথম জানিব পাৰিলে; কাৰণ ধাত্ৰী ইউৰিকিয়াই, তেওঁৰ বৰ মৰমৰ টেলিমেকাচ গুচি যোৱা কথা এনেকি পেনিলোপিৰ আগতো প্ৰকাশ কৰা নাছিল। তেতিয়া পেনিলোপিয়ে স্বামী আৰু পুত্ৰ উভয়ৰ বাবে বিলাপ কৰি কৰি অৱশেহত দেৱী মিনাৰ্ভাৰ ওচৰত পুত্ৰৰ ভালৰ বাবে প্ৰাৰ্থনা কৰিব ধৰিলে। কান্দোতে কান্দোতে তেওঁৰ বৰ টোপনি আহিল। তেতিয়া পেনিলোপিৰ ভনীয়েকৰ মূৰ্ত্তি ধৰি দেৱী মিনাৰ্ভাই তেওঁৰ মূৰশিতানত থিয় দি কলে যে টেলিমেকাচ্ নিৰ্ব্বিঘ্নে আছে, তেওঁৰ বাবে বিলাপ কৰিবৰ কোনো কাৰণ নাই; কাৰণ বাটত তেওঁৰ এনে এজন ৰখীয়া আছে যে তেনে ৰখীয়া পাবলৈ বীৰ সকলে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰে। সপোনতে পেনিলোপিয়ে তেওঁক দেৱতা বুলি অনুমান কৰি তেওঁৰ গিৰীয়েকৰ কথা সোধাত মিনাৰ্ভাই কলে যে তেওঁ সেই বিষয়ে এতিয়া একো নকয়, আৰু তাকে কৈ তেওঁ তৎক্ষণাৎ অন্তৰ্দ্ধান হ'ল। সাৰ পাই উঠাত পেনিলোপিৰ সপোনৰ কথা মনত পৰিল আৰু এইটো এটা শুভলক্ষণ বুলি ঠিক কৰি ধৈৰ্য্য ধৰিলে।

বৈজ্ঞানিক জগত

পেট্ৰল নোহোকৈ চলোৱা মটৰগাড়ী

এই মোটৰ গাড়ীখন চলাবলৈ তেল (পেট্ৰল) ৰ আৱশ্যক নকৰে। তেলৰ পৰিবৰ্ত্তে বতাহেৰে (Compressed air) কাম চলে। এই গাড়ী পোন প্ৰথমতে লচ এঞ্জেলচ (Las Angles) নামে ঠাইত চলাই পৰীক্ষা কৰি চোৱা হৈছিল। এই গাড়ীৰ পাছফালে



পেট্ৰল নোহোৱাকৈ চলা মটৰ গাড়ী

বতাহ (Compressed air) ৰাখিবলৈ বন্দোবস্ত আছে। বিনা খৰচতে ইয়াক চহৰৰ আলিৰ ওপৰেদি চলাই নিয়া হৈছিল। মিঃ ৰয় জে, মেয়াৰচ (Mr. Roy J. Meyers ইয়াৰ আবিষ্কাৰক। তেওঁ আজি ছয় বছৰৰ পৰা এই কামত দেহে কেহে লাগি আছে। আৰু তেওঁ আশা কৰিছে যে ভবিষ্যতলৈ অন্ততঃ মোটৰ গাড়ীৰ এটা অভিনব যুগ আৰম্ভ হব।

শৰীৰৰ আৱশ্যকীয় খাদ্যৰ পৰিমাণ নিৰ্দ্দেশক যন্ত্ৰ

মিউনিকৰ মিউজিয়মত এটা যন্ত্ৰ আছে। তাত উঠি শৰীৰৰ ভৰ পৰীক্ষা কৰি চাব লাগে। লগে লগে ভৰ পৰীক্ষা কৰি চোৱা জনৰ বয়স যিমান তাক তাৰ অঙ্কেৰে লিখি দিবৰ বন্দোবস্ত আছে। ওজন চোৱা আৰু বয়সৰ অঙ্ক লিখি দিয়া হলে হাতলত ধৰি ঘুৰাব লাগে। তেতিয়া



মানুহৰ খাদ্যৰ পৰিমাণ জনা যন্ত্ৰ

সেই মানুহজনৰ কি পৰিমাণৰ খাদ্যৰ আৱশ্যক সি লিখা হৈ ওলায়।

গোলকত স্বাস্থ্যনিবাস (Sphere of health)

ই এটা গোলকৰ আকাৰৰ ৫ মহলীয়া ঘৰ। বহলে ৬৪ ফুট। ইয়াৰ ভিতৰত ৩৬ জন ৰোগী ৰাখিবৰ ঠাই আছে। আৰু অক্সিজিনেৰে (Oxygen) নানা বিধৰ ৰোগৰ চিকিৎসা কৰা হয়। ঘাইকৈ ৰক্তহীনতা, পেছ, বহুমূত্ৰ, 'ব্লাড প্ৰেচাৰ' (Blood pressure) আদি নৰীয়াৰ চিকিৎসাৰ ভাল ব্যৱস্থা ইয়াত আছে। কানিংহাম নামেৰে মানুহ এগৰাকীয়ে অহিঃ(Ohio) ত



কানিংহামৰ তৈয়াৰী স্বাস্থ্য-নিবাস

এইদৰে সাজিছে। তাত ইয়াক কানিংহাম হেল্‌থ টেঙ্ক (Cunningham health tank) বোলা হয়।

বিজ্ঞান-বীৰ আইনষ্টাইন

প্ৰফেছৰ আইনষ্টাইন বৰ্ত্তমান যুগৰ শ্ৰেষ্ঠতম গণিতজ্ঞ। তেওঁৰ আপেক্ষিকতাবাদ নামক নীতিৰ বিশ্লেষণে জগতৰ সকলো প্ৰকাৰৰ গবেষণাতে নতুন যুগ প্ৰবৰ্তন কৰিছে।



প্ৰফেছৰ আইন্‌ষ্টাইন্

বৰ্ত্তমান গণিতজ্ঞ সংজ্ঞাৰে বিশ্বব্ৰহ্মাণ্ডৰ বৰ্ণনাত তেওঁ আৰু এটি নতুন নীতি আবিষ্কাৰ কৰিছে। ইয়াক বৈজ্ঞানিকৰ ভাষাত Theory of the fifth dimension to the conception of the Universe বোলা হয়। প্ৰত্যেক গোটা বস্তুৰে তিনটা 'ডাইমেনশ্যন' থকা বুলি সকলোৱে ইমান দিনে বিশ্বাস কৰি আহিছিল। প্ৰফেছৰ আইনষ্টাইনে এইবাৰ প্ৰমাণ কৰি দেখুৱালে যে প্ৰত্যেক বস্তুৰে পাচোটাকৈ 'ডাইমেনশ্যন' আছে। তেওঁৰ এই আবিষ্কাৰ ইমান বিস্ময়প্ৰদ যে আইনষ্টাইনৰ এনে অতুলনীয় প্ৰতিভাৰ জেউতিত পণ্ডিতসমাজ চমকিত হৈছে, আৰু কোনো কোনোৱে তেওঁক বিজ্ঞানৰ নেপোলিয়ন আখ্যাৱে অভিহিত কৰিছে।

সূৰ্য্যৰ ৰশ্মিৰে ৰোগ চিকিৎসা

এই লা-বেইন (Aix-les-Bains) নামৰ ঠাইত সূৰ্য্যৰ ৰশ্মিৰে ৰোগ চিকিৎসাৰ বাবে এটা অভিনব ধৰণৰ



সূৰ্য্যৰ ৰশ্মিৰ ৰোগ চিকিৎসা কৰিবলৈ পৰ্ব্বতৰ ওপৰত সজা ঘৰ

ঘৰ সজা হৈছে। এখন পৰ্ব্বতৰ ওপৰত এই ঘৰ অৱস্থিত। এই ঘৰটো এটা আঠকোণীয়া ঘৰৰ চালৰ ওপৰত সদায় ঘুৰিব পৰাকৈ তৈয়াৰী কৰা হৈছে। ইয়াৰ দুটা দীঘল আৰু দুটা চুটি বাহুৰ দৰে আছে। এই দীঘল



সূর্য্যর বশ্মিরে রোগ চিকিৎসা করিবলৈ
সজা ঘরর এটা বাহর দৃশ্য

ভূজীয়া ঘরটোত সূর্য্যরশ্মিরে চিকিৎসার যাৰে সক সক খোটালী আছে। ডাঃ জিন স্বেইডমেন (Dr. Jean Saidman এই ঘরর আবিষ্কারর।

টাটা কোম্পানীর কাপোরর কল



জামশেদপুরত টাটা কোম্পানীর উন্নত ২০০,০০০ মোণ ওজনর উন্নত আৰু নতুন বিধর কাপোরর কলর এটা অংশ। এই অংশত মবাপাট ধুনা হৈ কোমল অন্তস্থাত ওলাব লাগিছে

আজি কালি ভারতত মাঞ্চেষ্টার আৰু আন বিদেশী কাপোরর বয়কট আন্দোলন বৰকৈ চলিছে। তার ফলত মাঞ্চেষ্টারত বিষম হাহাকার উঠিছে। সেই ঠাইর বহুত মিল বন্ধ করি দিব লগীয়া হৈছে। ভারতর এই বর্জ্জন আন্দোলন ইমান যিনি সফল হোৱার গুৰিত ভারতত স্থাপিত নানা কলকাৰ্খানা বিলাকে সহায় করিছে। এই বিলাক কলকাৰখানার কিছুমান মাঞ্চেষ্টার আদি ঠাইত চলা কল-কাৰখানাতকৈ উন্নত আৰু নতুন বিধর। জামশেদপুরর টাটাকোম্পানীয়ে যি কাপোরর কল বহুরাইছে তারে এটা প্রায় ২০০,০০০ মোণ গধুর।



টাটা কোম্পানীর নতুন আৰু উন্নত বিধর কাপোরর কলর এটা অংশত এজনী তিকতাই কাম করিব লাগিছে



টাটা কোম্পানীর কাপোরর কলত গাঁথর পরা মবাপাটটেগ স্থতা হৈ ওলাব লাগিছে

কল্যাণময়ী

(৩য় সংখ্যার পিছরপরা)

নাট— —শ্রীযুত অম্বিকাগিরি রায় চৌধুরী

২য় অঙ্ক

১ম গর্ভাঙ্ক

ফুকনর ফুলনি

কল্যাণময়ীর লগরী কুসুমিকা আৰু জগদিকার
(ননচাকৈ) গীত গাই গাই প্রবেশ।
কি ছন্দ চকিত গীতি-গোবরে
চিন্তার গতি চমকালে।
কোনে, জীয়ন জগোরা বাগিনী বেচেরে
হৃদয়র তাঁর জনকালে।
কোনে, আকাশর নীল উবাই উবাই
কোন অজানাত থমালে।
জ্যোৎস্নার বুকু উদি করি কোনে
ধরণীত টানি নমালে।
কোনে চুমা-চাতা থাই বেথা জিত করি
লতিকার কুঁহি ফুলালে!
(দুরর পরা, গহুর তলিত পরি থকা ফুলর কুঁহি
এটালৈ লক্ষ্য করি কল্যাণময়ীর প্রবেশ।)

কল্যাণময়ী—(কুঁহিটোর ফালে চাই চাই)
চোরা সখি!
আজলী কলিটি দেহি!
পরি আছে কেনেদরে কঠোর মাটিত!
(এই সময়খিনিত কুসুমিকা আৰু জগদিকাই দুয়ো
দুয়োরো ফালে চোরাচুই করি চকুর ইঙ্গিত প্রকাশ
করি মনে মনে হাঁহে।)
আহা!
কোনে বা পেলালে ছিঙি!
করিছিল কার কিবা দোষ!

জগদিকা—সখি!
এনেকুরা বহু সংসারত—
মুবুজে প্রেমর ভাব,
দিন বাতি ঢালিলেও প্রেম,
নোরারে পমাব তার শিলর অন্তর।
দয়ার মোহিনী ছবি
সদায় দুরত থাকে;—
তেনে এজনেই, করিছে এহরা কাম।

কল্যাণময়ী—
অনন্ত বিচিত্র বিশ্ব চকুর আগত
দিন বাতি ঢালে প্রেম হিয়া উপচাই;
অশান্তিত দগ্ধ হোরা মানর জীরন,
শান্তিত পমাই তোলে।
উজলাই অকলা হৃদয়,
তুলি দিয়ে আলোকর পূর্ণ জোনবাই।
চোরা সখি!
বিপুল জগত এই কেনে সুখকর।
ফুলর কলিটি
তারে এটি অংশ কলা—
প্রেমর সুতারে,
গঁথা আছে বিশ্বর লগত।
কিন্তু তেন্তে মুকথ মানরে
মুবুজে আদর তার।

জগদিকা—কুরঁরি!
অনন্ত জগত এই বিচিত্রতা ভরা।
তাতেকে অবোধ নরে আঁত হেকরাই
বুদ্ধিভ্রষ্ট হৈ—
একো থির করিব নোরারে।

এভাগত যদি
সৌন্দর্য্যৰ আলোক উপচে,
আন ভাগে আক
কুৰূপৰ অন্ধকাৰ মেলি দিয়ে তাত।
এবাৰ তলত পৰি পুনৰ উঠিব,
এবাৰ বিনাশ হৈ পুনৰ ফুলিব,
এয়ে মাথোঁ জগতৰ ৰীতি।

কল্যাণময়ী—হয় হ'ক নাশ তাৰ—
পূর্ণ পৰিণতি লাভ
স্বভাৱ বিধানমতে বিনাশ ঘটিব,
আনে হয় কিয় তাৰ নাশৰ কাৰণ ?

জগদিকা—যাক তুমি আন কলা
সিও সেই স্বভাৱ বিধান।

কল্যাণময়ী—কিন্তু,
কোনটোত জগতৰ পূর্ণ সফলতা,
কোনটোত মঙ্গলৰ
হাঁহিভৰা অশীৰ্ব্বাদ পৰি
আনন্দ-প্লাবিত হয় অনন্ত জগত ?
মানো, সঁচা বিচিত্ৰ জগত—
তেনেহলে,
অছেদ্য ডোলেৰে গঁথা বৈচিত্ৰ্যৰে সাঁতে
সৃষ্টিৰ প্ৰধান সৃষ্টি মানৱে বা কিয়,
সকলোকে মিলনৰ
আনন্দত হুবুৱাই
অশান্তিৰ জুই জ্বালে তাত ?

জগদিকা—সখি !
ইও সেই বিধিৰে বিধান।
একেটি সুৰতে যদি বিশ্ববীণখনি
বাজি থাকে সততাই,
কল্পনাৰ নানা ফুল তুলি
কিদৰে আনন্দ পাব
মানৱৰ কুঁহুৱা জীৱনে ?
তেনেহলে আমনি লাগিব—
হিয়াত স্থিতি ভৰি অতৃপ্ত হেঁপাহ,
সৃষ্টিধাৰা বন্ধ হব,
ধমকিৰ জগতৰ অগ্ৰগামী খোজ।
বিচিত্ৰতাতেহে সখি !
তৃপ্ত হয় মানৱ জীৱন।

কল্যাণময়ী —লগৰী !
জগতৰ বিচিত্ৰতা মানে
নিজ বিশিষ্টতা স'তে শক্তিশালী হৈ—
পূর্ণতাৰ ফালে মাথোঁ লক্ষ্য ৰাখি চলে—
তাতেহে শান্তিৰ বিমোহন প্ৰতিকৃতি,
নিৰ্ব্বিবাদে ভৰি উঠে বিশ্ব পুলকাই।
তাত কিয় সংঘাত নকৰি
আনজনে শত্ৰুতা আচৰে !
পৰস্পৰে দিয়া লোৱা সহানুভূতিত
পৰিপূর্ণ হৈ উঠে
জগতৰ সুন্দৰতা মানে।
আজলী কলিটি দেহি ! নিজতে ফুলিছে,
নিজতে বিনাশ পাই নিজ আনন্দত
নিজেই মিহলি যাব অনন্ত সোঁতত—
আনৰ সহানুভূতি নাই কিয় তাত ?
এজন ওপৰ উঠি,
এজনক তলত পেলাই,
ছিঙি দিয় মিলন-বন্ধন,—
এনেকুৱা অঙ্গঘাটি অসত্য বিধান
কদাপিতো নকৰো গ্ৰহণ।
গোৱা সখি,
গোৱা এটি সৰস সঙ্গীত।
সেই গীত শুনি শুনি
মালতীৰ মনমোহা কলিও নাচক,
জগতৰ বিবোধবিনিও
এক হ'ক মিলন সোঁতত।
(জগদিকা আৰু কুসুমিকাৰ গীত)
আহা আহা আহা সখি সুৰে সুৰে গোজ লৈ,
মিলন ভাবেৰে ভৰা আকুল আৱেগ লৈ।
কিমান তাৰকা আহি তুলিলেহি চুমুকনি,

মতে-পাতে উপচিলে ৰসৰ সৰসাধিনি,
মিলনৰ মহাগানে তুলি দিলে উচটনি,
আহা আহা আহা সখি নৱৰা নিলগ হৈ।

(দূৰৰ পৰা চিঞৰি চিঞৰি সুৰ লগাই কৈ ভগৱানৰ প্ৰবেশ, আৰু সেই চিঞৰ শুনি কল্যাণময়ী আদি সকলো কেজনীয়ে কিছু সন্ত্ৰস্ত ভাব দেখুৱাই একথোপ হৈ কিছু দূৰত গৈ থিয় হৈ বিস্ময়বিস্ফাৰিত দৃষ্টিৰে ভগৱানৰ ফালে চাই থাকে।)

ভগৱান—

চন্দ্ৰ সূৰ্য্য ঠেকাঠেকি থাই
তাপ হৈ উৰি য'ক।
সৃষ্টিৰ ভৰি ভাঙি কোঙা হৈ
অকাটো মাথোন থ'ক।
আকাশ পতাল সনাসনি হৈ
হক কিবা কদাকাৰ,
সাগৰ পাহাৰ গলি এক হ'ক
জুই পানী একাকাৰ।

জগদিকা—(সাহ কৰি আক আচম্বিত হোৱা ভাব দেখুৱাই ভগৱানৰ উদ্দেশ কৰি) তুমি ইমান সাহেৰে সৃষ্টিৰ বিনাশ বিচাৰিছা ! জীৱনৰ বিনিময়ত মৃত্যু কামনা কৰিছা কিয় ?

ভগৱান—কাক কম, বিনাশক কিয় মই আহ্বান কৰিছো—মৃত্যু কিয় বিচাৰি ফুৰিছো। হৃদয়হীনতাৰ আচৰণত অভ্যস্ত হৈ, আলাময়ী কঠোৰতাৰ নিষ্পেষণত জীৱন ধাৰণ কৰি আনন্দ পাই থকা জগতৰ আগত কৈ কি হব, মৃত্যু কিয় মই বিচাৰিছো।

জগদিকা—এই ৰক্তময় জগতৰ ওপৰত এনে ভীষণ অভিযোগ আনিলা কিয় তুমি ? যুক্তি কি তোমাৰ ?

ভগৱান—যুক্তি তৰ্ক সকলো তল পৰিল, মাত্ৰ থাকিল হৃদয়হীনতাৰ শুকান শিলৰ কৰ্কশ বালি কিছুমান। তাৰে সৃষ্টিৰ মহৎ উদ্দেশ্য সম্পাদিত হব কেনেকৈ ?

বৃন্দমিকা—গোটেইখন জগতৰ ওপৰতে হৃদয়হীনতাৰ এই অভিশাপটো আৱোপ কৰিলা কিয় ?

ভগৱান—কিয় আৱোপ কৰিলো !—বুজা নাই ? হৃদয়ৰ পূর্ণাধিকাৰিণী অভাগিনী মাতৃ, বুজা নাই ? দেখা নাই চাৰিফালে হৃদয়হীনতাৰ তাণ্ডৱ লীলা? চকুত পৰা নাই, নিদাৰুণ কঠোৰতাৰ আলাময়ী মূর্ত্তিয়ে বাকী থকা হৃদয়ৰ কণিকা কেইটিকো খাই শেষ কৰো বুলি ক্ৰমে কেনেকৈ আগ বাঢ়ি আহিছে !

কল্যাণময়ী—তোমাৰ উদ্দেশ্য কি তেনেহলে ?

ভগৱান—মোৰ উদ্দেশ্য—বিষাক্ত বাষ্পেৰে হৃদয়ৰ স্বাস্থ্য নষ্ট কৰা ঘা লগা গেলা-পচা এই সৃষ্টিখন মোহাৰি ধুনি গুৰি কৰি উৰাই দিওঁ।

কল্যাণময়ী—তাৰ পাছত—

ভগৱান—উৰি য'ক সৃষ্টিৰ সেই ধূলিবোৰ, দিখিদিক হেঁকৰাই অনন্তৰ বাজত জীৱন্ত হৃদয়ৰ লীলাভূমি বিচাৰি।

কল্যাণময়ী—তাৰ পাছত—

ভগৱান—তাৰ পাছত, সংশোধিত হৈ হৃদয়ৰ সংস্পৰ্শত ফিৰি আহক সেইবোৰ এই পৃথিবীলৈ।

কল্যাণময়ী—তাৰ পাছত—

ভগৱান—তাৰ পাছত স্থাপিত হ'ক পতিটো ধূলিতে হৃদয়ৰ সজীৱ বীজ।

কল্যাণময়ী—তাৰ পাছত—

ভগৱান—তাৰ পাছত সমগ্ৰ সৃষ্টিখন ভৰি গজি উঠ হৃদয়ভৰা চেতনাৰ বিৰাট বৃক্ষ,—উচ্চক হৃদয়ৱান বলবীৰ্য্যৰ অমৃতময় ফলে-ফুলে সেই বৃক্ষ জাতিস্তাৰ হৈ ;—হওক সেই ফল খাই মানৱজাতি ৰূপে-গুণে, ঐশ্বৰ্য্যে-সম্পদে হৃদয়ৰ চিব অধিকাৰী ; নোহোৱা হওক, সৃষ্টিৰ পৰা যিমান নীচতা, যিমান ভীকতা, যিমান নিৰ্ব্বীৰ্য্যতা, যিমান কাপুকষতা, যিমান দীনতা। জগক জগত জুৰি নিখুত বীৰত্বৰ বিৰাট গৌৰৱ—পুলকিত হৈ হ'ক আত্মহাৰা আনন্দ মিলনৰ বিমল স্পৰ্শত।

কল্যাণময়ী—(আন ফালে চাই চিন্তান্বিত হয়)

জগদিকা—এনে অসম্ভৱ কল্পনা কৰিছা তুমি !

ভগবান—হায় স্মৃতিভ্রষ্টা অভাগিনী! বুকু কাঁপি উঠিল মোব কথা শুনি? সম্পূর্ণ পাহবি গলা! নিশ্চিন্ত হৈ পাহবি পেলালা, দুৰ্ব্বাৰ শক্তিব কি অনন্ত উৎস আছে তোমাব হৃদয়তলি সিক্ত কবি? অব্যর্থতাব কি প্রচণ্ড গতি আছে তোমাব সৰ্ব্বাঙ্গ বিয়পি! হৃদয়ব মূর্ত্ত বিকাশ নাবী! যুগযুগান্ত ধবি তোমাব বুকুব ওপবেদি চলি সেবা, হৃদয়হীনতাব নিৰ্ম্মম নিষ্পেষণে, ইমানেই আত্মপ্রবঞ্চনা ঘটাইছে তোমাব—বিশ্বাস কবিবলৈকেও সাহ নোহোৱা হ'ল, শক্তি-সামর্থ্যব পবিমাণ তোমাব, কার্য্যকুশলতাব অবার্থতা তোমাব? নহলে, অন্তৰ কল্পনা বুলি তুমি শিয়বি উঠিবা কিয়?

কুসুমিকা—নাবীজাতিব ওপবত ইমানেই উচ্চ ধাবণা তোমাব! তেনেহলে নাবীব হৃদয়ত প্রবল ইচ্ছা শক্তিব উদ্ভব নহয় কিয়?

ভগবান—আত্মপ্রবঞ্চনা, ঘোব আত্ম-প্রবঞ্চনা। এই আত্ম-প্রবঞ্চনাই অকল নাবীব দুৰ্ব্বলতাকেই স্বাভাবিক কবি ক্ষান্ত হোৱা নাই—জগতব উন্নতিগামী গতিকো খোবা কবি থৈ দিছে। সেইবাবেই, এই গতিত চেতনা জগাওঁ বুলি, নাবীক এই দুৰ্ব্বলতাব পবা মুক্ত কবো বুলি, আবৰ্জ্জনাব যি দুর্ভেদ্যতা মই লক্ষন কবিব খুজিছো, তাত অসন্তাব্যতাব সকলো সন্দেহ দ্বিধা, সকলো অনিশ্চিততা নিবাশ হৈ পলাই গ'ল। সেইবাবেই মোব ইচ্ছা শক্তিব শত বন্ধন আজি ছিগি পবিল—ইচ্ছা মাত্রেই কৰ্ম্মব উদ্ভব হ'ল, বিবাট সম্ভাবনাব বিপুল বাহুবে আহি আলিঙ্গন কবি ধবিলে মোক। ঘোৱা স্মৃতিভ্রষ্টা নাবী, ঘোৱা! অমোঘ ইচ্ছা-শক্তিব প্রবলতাব ওপবত অনন্তব কল্পনাব আবৰ্জ্জনা পেলাই নাবী-জাতিব, সৃষ্টিব উৎকৃষ্ট বিকাশ এটাব কলহ নবঢ়াবা। ঘোৱা, মাতৃ! হৃদয়ব সমস্ত দুৰ্ব্বলতা এবি দি, হৃদয়ত হৃদয়ব সজীব চেতনা প্রতিষ্ঠা কবা, আত্ম-বিশ্বাসব জলন্ত শিখা নির্নিমেষে হৃদয়ত জ্বলি থাকক, জগতব কঠোবতা নিৰ্ম্মলতা ক্ষয় পবক।

[ভগবানব বেগেবে প্রস্থান।

কল্যাণময়ী—(জগাঁদকা আক কুসুমিকাক উদ্দেশ কবি) বুজি পালানে সখি! উদ্ভ্রান্তিব ভাও জুবি কি অগ্নিশিখা জ্বলাই গ'ল যুবকজনে?

(তৎক্ষণাত আঁব-কাপোব)

২য় গর্ভাঙ্ক

ফুকনব বহা ঘবব এভাগ

ফুকন—(আত্মগ্লানি) কান্দে আজি পীড়িত জীবন।
মনক বুজাওঁ কত,
তথাপিতো জ্বলি উঠে অতীত কাহিনী।
কি কবিম!
ক'ত শান্তি পাম!
পবব অধীন হলোঁ,
ক্ষত্রিয়ব সমাজত দুর্যশ বিলালোঁ,
বীবক সাক্ষাৎ পালে
যাব লাগে তলমুব কবি।
অতীতব সেই দৃশ্য
অবিকৃত এতিয়াও আছে অন্তবত।
ইচ্ছা হয়,
এতিয়াও সেই বণক্ষেত্রত সোমাওঁ,
ধ্বংস কবি শত্রুমানে তেজাল অঙ্গেবে,
অনন্ত বীবত্ব ভবা,
খোলো আক বুবঞ্জীব নতুন অধ্যায়।

(অলপ ইফাল সিফালকৈ)

উঃ! এতিয়াও মনত জাগিছে,
অতীতব সেই স্মৃতি:
জয়ধ্বজ নৃপতিয়ে
যিদিনাই সন্ধিপত্র লিখি
অধীনতা মানি ললে দিল্লী সম্রাটব,
সিদিনাই মৃত্যু মোব নহল কি হেতু?
ক্ষত্রিয়ব বিশাল বাহুবে,
পশু হৈ কি ইন্দ্রজালত,
উলটিল বণক্ষেত্র এবি!

(দুৰ্ব্বীব প্রবেশ)

দুৰ্ব্বী—স্বর্গদেউ! দিল্লীব পবা এজন দূত আহিছে।

ফুকন—(কিছুপব শুৰু হৈ থাকি নিজে নিজে)
আহিছে দিল্লীব দূত!
মন!
অন্তবব চুবাই জপাই
বোধ কব শোণিতব বাট।
কিবাবে উত্তপ্ত এই তেজব সোঁতেবে
উত্তলাবি নিজ্জীব উলাহ?
দুৰ্ব্বি!
লৈ আহ সমাদব কবি।

[সেবা জনাই দুৰ্ব্বীব প্রস্থান

যাব কথা ভাবি ভাবি
শোণিতব তপ্ত সোঁত
বিদ্যুৎ বেগেবে বয় শিবব মাজত,
তাবে দূত উপস্থিত আজি?
দেখোঁ বাক,
খবব বাতবি কিবা।

(দুৰ্ব্বী আক দূতব প্রবেশ)

দুৰ্ব্বী—স্বর্গদেউ! দূত আহিছে।

ফুকন—(সসম্ভ্রমে আসন দেখুবাই দি)
আহা দূত!
বহা আছি আসনত আনন্দ মনেবে!

(দূতব আসন গ্রহণ)

কি হেতু আহিলা দূত,
কি কাবণে পঠাইছে দিল্লীশ্ববে?

দূত—বছবব শেষ হল—
নিৰ্দ্দিষ্ট কবব হেতু,
পঠাইছে দিল্লীশ্ববে।
এই মুহূর্ত্তব পবা
এমাহব ভিতবত
হত কব শোধাব লাগিব।
ক'ক এই সম্রাটব আদেশ কাকত।

(কাকত দিয়ে।)

ফুকন—(কাকত পঢ়ি চাই দূতলৈ)
বাহিবব সকলো বাতবি
মোব ভিতবেবে যায় বাজাব কাষক।
বজাল'কে পঠাওঁ কাকত—
সপ্তাহব ভিতবত দূত উলটিলে
পোৱা যাব সকলো সম্বাদ।
দুৰ্ব্বি! লৈ যোৱা—
সমাদবে অভ্যর্থনা কবিবা দূতক।
অবহেলা, একোতে নহয় যেন।

[দুৰ্ব্বী আক দূতব প্রস্থান

(নিজে নিজে)
দিল্লীশ্বব!
থাকা আক কিছুদিন বাজসুখ ভুগি।
এবাব ফিবিলোঁ বুলি পৃষ্ঠ দেখুবাই,
নাভাবিবা বাব বাব তেনেটো কদাপি।
একেটি নদীয়ে,
শীতত শুকাই যায়,
গ্রীষ্মত উপচি উঠে উদ্দীপ্ত তেজেবে।
সন্ধিপত্র—
কিবা মূল্য তাব!—

(অলপ ইফাল সিফাল কবি)

লিখোঁ নৃপতিক,
অস্বীকাব কবে যেন কব শোধোবাত।

(পাছফালব পবা জগদম্বাব প্রবেশ।)

জগদম্বা—নাথ!

ফুকন—(জগদম্বাব ফালে ফিবি চাই।)
মবমব পত্নী মোব!
নকবিবা তেনে সম্বোধন মোক।
তোমাব নিচিনা বীব বমণীব
যোগ্য মই নহওঁ স্বামীব।
ক্ষত্রিয়ব গৌববত
কলঙ্ক বেখা কাটি,—
যবব চুকত আহি
প্রেমসুখ ভুঞ্জিছো সুখেবে।
নবকতো নাপাম বসতি!

জগদম্বা—আত্মগ্লানি কবা কিয় নাথ !
বীবব হৃদয়, অচল সদায়,
নিবাশাব বিমর্ষতা লৈ
ইমান আকুল হোবা নহয় উচিত।
ফুকন—হায় !
কাব ওচবত কম,
কিয় কবো আত্মগ্লানি !
অতীতব ঘৃণিত কলঙ্ক সেই
বুকুব মাজত বৈ
জ্বলি পুবি অন্তবব তবপে তবপে
কিদবে জীয়াই থাকো ?
জগদম্বা—নাথ !
অতীতব দুখ-বেথা
উটুবাই অন্তবব পবা
নতুন উলাহ আক
উপচোবা তপত তেজেবে।
নহবা নিবাশ নাথ !
বল-বীর্য্য লোৱা হৃদয়ত,
গৌবব-সৌভাগ্য বেলি পুনব উঠিব।
ফুকন—নহওঁ নিবাশ,
বীবত্ব তেজেবে এনে
তেজস্বিনী প্রিয়ভার্য্যা যাব,
নিবাশাই কবিব কি তাক ?
আগন্তুক সোণালী সুযোগ—
তৃপ্ত হব প্রাণ মোব শত্রুব তেজেবে।
কব আহ্বাহব হেতু,
আহিছে দিল্লীব দূত।
আদেশিছে দিল্লীশ্ববে
এমাহব ভিতবত
শোণাব লাগিব কব।
ইয়াব অন্যথা হলে
যুদ্ধ-ডঙ্কা বজাব সম্রাটে।
তেতিয়া আমিও,
কঁপাই সমব ক্ষেত্র বণদুন্দুভিবে
মিলাম জীবন এই মৃত্যুব মুখত।
মতামত কি তোমাব ?
জগদম্বা—মতামত এই মোব—
খুলি দিয়া হিয়াব দুবাব,
উন্মত্ত গাজন এবি উত্তপ্ত শোণিত
শিবে শিবে নাচক বেগাই।
জনোৱা বজাক নাথ !
নোশোধায় কব যেন।
নির্ভয়েবে থাকা নাথ !
বণ সাগবত যদি
ডুবি যায় তোমাব জীবন,
নিজে মই কবিম সমব।
দেখিব জগতে—
ক্ষত্রিয় বমণী জীবন
সৃষ্টি কবা কি উদ্দাদানেবে।
ফুকন—প্রিয় ভার্য্যা, যাওঁ মই—
সোলকালে নৃপতিক
জনাওঁ আশ্বস মোব।
[বেগেবে ফুকনব প্রস্থান।
জগদম্বা—(নিজে নিজে) দিল্লীশ্বব !
গর্ব্ব তোব ইমানে প্রবল—
দেবীকন্যা হিন্দু বমণীব
নাশ কবি সতীব বতন
এতিয়াও নিঃশঙ্ক মনেবে
বাজ্য-সুখ ভুঞ্জি আছ তই !
তোকেই নে কয় লোকে
ভাবতব একচ্ছত্রী প্রবল সম্রাট !
ছিঃ ছিঃ ঘব ঘৃণনীয় তই !
(কল্যাণময়ীব প্রবেশ)
কল্যাণময়ী—আই !
কিয় আজি এনে ভাব দেখিছোঁ তোমাব !
জগদম্বা—(নিজে নিজে)
সবলা আইটী মোব,
সংসাবৰ বিপত্তি বিলাই,

নাপায় অলপো বুজি,
ঘৰেবে কটায় কাল।
সংসাবৰ কুটিলতা
এতিয়াও পাবা নাই প্রাণত সোমাব।
কলে মোব মনব বেদনা,
বিষাকুল হব বাছা !
(কল্যাণময়ীব ফালে চাই।)
প্রাণব সোণাই,
একো হোবা নাই মোব !
অত বেলি আছিলা নো ক'ত !
কল্যাণময়ী—একো হোবা নাই তোব,
কিববে বুজিম আই !
আনবিনা হলে
আনেবে ভবা দেখোঁ তোমাব বদন। আজি কিয়
চিন্তাব মলিন ছায়া দেখিছো চকুত ?
জগদম্বা—সাদবী সোণাই !
কি কম প্রাণব কথা !
কোমল জীবন তোব, কোমলতা ভবা,
আমাব বেথাব কথা জনালে তোমাক,
তুমিও যন্ত্রণা পাবা কোমল প্রাণত।
কল্যাণময়ী—শিক্ষ মাতৃ যি যাতনা সহিছে প্রাণত
সন্তানবো অধিকাব আছে তাত।
আই ! কোৱা সত্যকাই—
কিজানি ক্ষমাব পাবোঁ
মনব বেদনা তোব।
জগদম্বা—আজলী সোণাই মোব !
নকমিব তিলমানো,
ববঞ্চ বাঢ়িব আক দুগুণ তেজেবে।
কল্যাণময়ী—এজনব দুখ-বেথা ভুজনে ভগালে,
কোৱা আই, নকমিব কিয় ?
সন্তানব ওচবত—
প্রকাশিলে মনব বেদনা,
জানো মই,
দগ্ধপ্রাণ জুব পবি যায়।
কোৱা আই সোনকালে,
স্থিব কবা অস্থিব অন্তব।
জগদম্বা—নেব যদি বাঁচি, শুন তেনেহলে—
দু'বছব হ'ল আজি,
অতীতব জীর্ণ আঁচলত,
জ্বলি আছে উজ্জ্বল কাহিনী।
তাকে দেখি—
আমাক উদ্দেশ কবি
তীব্র গবিহণা,
ঢালি দিয়ে ক্ষত্রিয় সমাজে—
মবি যাওঁ লাজব হেঁচাত।
পঠালে অসংখ্য সেনা দিল্লীব সম্রাটে,
আমাব সোণব দেশ আক্রমণ হেতু।
দুয়োবেলে জন্মভূমি হৃদয় কঁপাই
বণডঙ্কা বজালে বিষম।
লাগিল তুমুল বণ।
লক্ষ লক্ষ বণুবাব
বৈ যোৱা শোণিতব বাঙলী বহণে
বাজি দিলে অসমব সোণালী আঁচল।
লক্ষ লক্ষ নিছলা প্রজাব,
মর্ম্মভেদী আবকালে,
স্তব্ধ শান্ত বতাহত ধুমুহনি তুলি
চাবিফালে লগালে থলক।
আমাব সকলো সেনা বীর্য্য হেকবাই,
শত্রুক পৰত সপি স্বাধীনতা ধন,
পলালে সমব ক্ষেত্র এবি।
তেতিয়া নেদেখি একো বক্ষাব উপায়
জয়ধ্বজ নৃপতিবে,
মানি ললে অধীনতা দিল্লী সম্রাটব।
লিখা হ'ল সন্ধি-পত্র—
বছবীয়া কব গৈ বছবে বছবে,
সম্রাটব ওচবত শোণাব লাগিব।
ইমানতো দিল্লীবাজে নাপালে তৃপিতি—
জয়ধ্বজ নৃপতিব স্নেহব জীয়াবী

ৰমণী গাভৰু নামে অতুল সুন্দৰী,
ললে আৰু উপহাৰ—
লগত অসংখ্য বন্দী, বেটী, ধন-জন।
গুচি গ'ল শত্ৰু-সেনা আনন্দ মনেৰে।
সেইবাবে আজি,
কৰ আদায়ৰ হেতু,
দিল্লীশ্বৰে পঠাইছে দূত।
এমাহৰ ভিতৰত নোশোধালে কৰ,
পুনৰ জ্বলিব ৰণানল।
জয়ধ্বজ মৰাৰ পাছত,
চক্ৰধ্বজ বহিছে পাটত।
জনকৰ সন্ধি-পত্ৰ অৱহেলা কৰি
চক্ৰধ্বজে জনাব নে বীৰ্য্যৰ চিনাকি ?
কি কম সোণাই !
এই ভাবনাতে কাতৰ অন্তৰ।
পৰৰ অধীন হলোঁ,
নাই দুখ অলপো মনত—
কিন্তু,
দেবীকৃপা হিন্দু ৰমণীৰ
বিধৰ্ম্মীয়ে কৰে ধৰ্ম্মনাশ !
শুনি এই ঘৃণিত কাহিনী
কোন এনে ক্ষত্ৰিয় কুলত,
নুঠিব হুঙ্কাৰ মাৰি বিশ্ব বিনাশিব !
নৃপতিৰ কলঙ্কত আই !
আমাৰো কলঙ্ক হয়।
(কল্যাণময়ীয়ে ইমান পৰ বৰ উদ্‌গ্ৰীৱ হৈ মুখৰ চকুৰ নানা ভাবপ্ৰকাশক ভঙ্গী কৰি জগদম্বাৰ কথা শুনি আছিল।)

কল্যাণময়ী—আই !
নালাগে—নকবা আৰু,
নহওঁ কাতৰ মই।
কিন্তু,
যি কাহিনী শুনি পালোঁ আজি,
সেয়ে মোৰ অন্তৰত
জ্বলালে যি জুইকুৰা,
শেষ পৰিণতি তাৰ নোহোৱালইকে,
তৃপ্ত তাৰ নহব হেঁপাহ।
ৰজাৰ কি মতামত আই ?

জগদম্বা—কেনেদৰে জানিম সোণাই ?

কল্যাণময়ী—কথা আই জনকক মোৰ,
জোৰ কৰি খাটিব ৰজাক
নোশোধায় কৰ যেন।
হয় হক ৰণৰ উদ্যোগ
দেখোঁচোন দিল্লীশ্বৰ কিমান তেজাল।
নহবা কাতৰ আই !
উটুৱাম অতীতৰ কলঙ্ক যিমান।
উপযুক্ত প্ৰতিশোধ পাব দিল্লীশ্বৰে।
আহা আই !
নাথাকিবা মন মাৰি।

[জগদম্বাৰ আঁচলত ধৰি বেগেৰে কল্যাণময়ীৰ প্ৰস্থান

— ক্ৰমশঃ

নীলু

গল্প—

—শ্ৰীযুত তাৰক চন্দ্ৰ শৰ্ম্মা

--আই ঔ মৰিলো !

সিদিনা দেওবাৰ। বৰজুলি বাগিছাত হাট। সাগৰ মল কেঞা গৈছে তেজপুৰৰপৰা, ধান আৰু কাপোৰ বেচিবলৈ।

নীলু—ঠাকুৰবাৰী বাগিছাৰ কুলী এটা। শনিবাৰে সি তাৰ সাপ্তাহিক দৰ্ম্মহা পালে। সেই নিশাই সি তাৰ অহা সপ্তাহৰ খৰচৰ তালিকা এখন কৰি ললে।

ৰাতি পুৱাল। নীলু গ'ল বৰজুলি হাটলৈ, তাৰ লাগতিয়াল বয়বস্তু কিনিবলৈ। সাগৰ মলৰপৰা ললে সি ধান দুটকাৰ, টকাত তেৰসেৰকৈ ছাব্বিছ সেৰ। আৰু ললে আঠহাতী ধুতী এখন। নীলুৰপৰা সাগৰ মলে নগদ বেচ বুজি ললে। ধানৰ থৈলাখন মুৰত আৰু ধুতীখন কাষলতিৰ তলত চেপা মাৰি লৈ নীলু দপ্ মাৰি উঠিল, যাবলৈ। সাগৰ মলে ৰঙৰ হাঁহি এটা মাৰি কলে—যা নীলু ! আকৌ কেতিয়াবা কিবা লাগিলে মোৰ ইয়ালৈকেহে আহিবি দেই।

পকা গোঁফৰ তলত হাঁহি এটা মাৰ নিয়াই নীলুৱে কলে—ভাল বাবু ! তুমি ঠিক ঠিক মাল দিবা, আমি নো নিনিম কেলেই ?

সাগৰ মলক চেলাম এটা দি নীলু গ'ল, তাৰ ঠাকুৰবাৰীৰ লাইনলৈ।

সন্ধিয়া। নীলুৱে ধানবোৰ পাচি এটাত বাকিলে। সেই পাচিটো জোখৰ—মুখসমানে ভৰালে ছব্বিছ সেৰ ধান ধৰে। আজি ছাব্বিছ সেৰ ধানেৰেও তাৰ পাচিটো নভৰিল।

—ওঃ ! কেঞা বাবুৱে মোক ঠগিলে !

আপোনা-আপুনি সি কলে। তুলাচনীখন আনি সি ধানবোৰ জুখি পেলালে। ধান হ'ল মুঠে বাইছ সেৰ। নীলুৰ সন্দেহৰ ছাঁ ধুতীতো পৰিলগৈ। ডাঁৰৰপৰা টান মাৰি ধুতীখন আনি হাত মাৰি জুখি চালে। সাতহাত হ'ল। বেজাৰ মনেৰে নীলুৱে ধানবোৰ আৰু ধুতীখন আছুতে ৰাখিলে।

ইয়াৰ পিছৰ হাটৰ দিনা। নীলুৱে ধানবোৰ আৰু ধুতীখন লৈ বৰজুলি বাগিছালৈ গ'ল। লগতে নিলে তাৰ তুলাচনীখনো। সাগৰ মলক চেলাম এটা দি সি কলে—বাবু ! আগৰ হাটৰ দিনা মই তোমাৰপৰা দুটকাৰ ধান নিলোঁ একুৰি ছসেৰ আৰু নিলোঁ এখন আঠহাতী ধুতীও। তোমাৰ জোখতে সঁজাত গৈ মই ইয়াত আৰু জোখ-মাখ নকৰিলোঁ। ঘৰত গৈ জুখি চাওঁ যে ধানো ঘাটি, কাপোৰো ঘাটি। ধান হ'ল একুৰি চাৰিসেৰ, ধুতীখন সাতহাতী। এয়া তোমাৰ ধান আৰু ধুতী লৈ আহিছোঁ ; নপতিওৱা যদি জুখি চোৱা।

—মোৰ ধান আৰু ধুতীত কিবা চাবমোহৰ মৰা আছে নে কি যে মোক দেখুৱাবলৈ আনিছ ?

—মাৰ্কা মৰা তো নাই বাবু ! মই নো কিবা তোমাক ভাৰিবলৈ আহিছোঁ নে ? ঘাটি ওজন দিছা দেখিহে কৈছোঁ। ঠিক ঠিক পইছা দিম, ঠিক ঠিক মাল নিদিবা কি বুলি ? তুমি জানো ঘাটিকৈ আমাৰ পইছা লৈছা ? তুমি এইখন ধুতী ৰাখি মোক আঠহাতী ধুতী এখন দিয়া আৰু ধান চাৰিসেৰ পাওঁ, দিয়া। বুকুৰ তেজ পানী কৰি বাগানত খোৰাকি মিলাওঁ। আমাৰ পইছা অইনাইকৈ নলবা বাবু ! অধৰম হব।

নীলুৱে ধুতীখন সাগৰ মলৰ হাতলৈ আগ বঢ়াই দিলে।

—ধৱম শিকাবলৈ আহিছে কটা কুলী! ইমান কুলীক ধান-কাপোৰ বেচোঁ, কোনেও ঘাটি জোখ বুলি আপত্তি নকৰে। ই খাব নোপোৱাই ধৱণপৰা সাদিনত মুৰত ধান-কাপোৰ মোক ওভোতাই দিবলৈ আনিছে, ঘাটি জোখ বুলি। ভাগ হিয়াচে উদুক!

সাগৰ মূলে ধুতীখন নীলুৰ মুখতে মাৰি দিলে।

—বাবু! তই বৰ খাব পোৱা। বাজপুতনাৰ চৌ-চৌৱা বালিৰ মাজৰপৰা ঘটী এটা আক ছিবা নাগেৰী জোতা এযোৰ সম্বল লৈ আহি, আমাৰ বুকুৰ তেজ অজাৱকৈ চুঁচি চুঁচি খাই ৰৱণেই ঘেলাই, আমাৰ ওপৰতে বাবুৱনি মাৰি, উলটি আমাকে কটা-কুলী-উদুক বুলি গালি পাৰিছ!

খণ্ডত নীলু বঙা পৰিল। বতাহে লৰোৱা আঁহতৰ পাতৰ দৰে সি কঁপিবলৈ ধৰিলে।

—গালি পাৰিবলৈহে দেখিছ নে? আভি নিকালো কুলী!

সাগৰ মলে হাত ডাণ্ডি নীলুৰ কাষলৈ আহিব ধৰে।

—কেঞা! মই তোৰ কাহানিবাৰ বহতীয়া নেকি তই যে কুলী-কুলীকৈ ঘিণাই মাতি চকু পেন্দাইছ? তই নো ক'ৰ ৰৱ-মানুহটো ওলালি চুৱাৰ্‌কা বাঙ্গা! মই তোৰ বাপেৰৰ আৰ্জন খাবলৈ তো অহা নাই। ঠিক ঠিক দৰ লৈ ঠিক ঠিক নিদিব কিয়? বাক দেচোন...

নীলুৱে খাগ মাৰি দ'মৰপৰা পথৰা-চিতৰা গামোচা এখন সামৰি ললে।

—হেৱৌ কটা কুলী! তই দিন-ডকা দিব খুজিছ নে? হামকো নেই জান্‌তা...

সাগৰ মলে নীলুক ঢকা মাৰি দি গামোচাখন কাঢ়ি নিলে।

—কটা কেঞাপোৱালি! আজি মই তোৰ জান...

নীলু ওঁজৰি উঠিল। হাতত আছিল তাৰ কোৰ! দিলে ঘা মাৰি, সাগৰ মলৰ ডিঙিতে। 'আই ও মৰিলোঁ!' বুলি এবাৰ মাণোন চিঞৰি সাগৰ মল লুটি খাই পৰিল, কাপোৰৰ দ'মৰ ওপৰতে। গোটেইখন তেজেৰে বাঙলী হ'ল। তাৰ পিছত?—তাৰ পিছত এই দুনিয়াত সাগৰ মলৰ চাউল টুটিল—পৰাণপখী কেনিবাদি ভুকুৰকৈ উৰা মাৰিলে।

বাজ বীণ

কবিতা— —শ্রীযুত বিনন্দ চন্দ্র বকৰা, বি-এ

বাজ আজি বাজ নিছলা কবিৰ চিৰ-জীৱনৰ বীণ,
উজলি উঠক জনমভূমিৰ শত গৱৰৰ চিন।
বাজ আজি মোৰ মাতৃভাষাৰ শুভলা সুৱদি তান,
প্রেমিকৰ কাণ পৰশি পৰক অমৃত ৰবষা বাণ।
মাতৃভূমিৰ মাতৃভাষা মোৰ তোমাৰ তুলনা নাই,
সান্তনাৰ ৰথী শান্তিকুৰ বী তুমিয়েহে মাথো আই।
আউলি-বাউলি চুলিতাৰি হক দুখীয়া নিছলা মুখ,
তথাপিও দেখোঁ তোমাতেই আই মিলে সৱগৰ সুখ।

পৰৰ বিভৱ বিচাৰি বিচাৰি ফুৰিলো জীৱনজুৰি,
বিমল সুখৰ ছায়াটি নাপাই আকৌ আহিছো ঘুৰি।
চিৰ-জীৱনৰ চিৰ-লগৰীয়া হে মোৰ মাতৃভাষা!
এতিয়াও আছে দীঘলীয়া দিন এতিয়াও দিয়া আশা।
জনমভূমিৰ জাতীয় সম্ভাৰ জাতি-গৌৰৱৰ চিন,
যুগ-যুগান্তৰ ধৰা সমুখত কালত নকৰি লীন।
জ্ঞান-বিজ্ঞানৰ কত আলোচনা একেটি ছাবতে আহে,
মাতৃভাষাৰ মৰমেদি আহি ভাব-সাগৰত ভাহে।
জনমভূমিৰ মাতৃভাষাই উদ্ধাৰত ফুলি ফুলি,
পূৰ্ব্বপুৰুষৰ পাছে পাছে আজি মাতিছে দুহাত তুলি।
প্রতি পৰ্ব্বতৰ টিঙে টিঙে উঠে তোমাৰ গীতৰ ধ্বনি,
লুইতৰ চউ নাচি-বাগি যায় সুৱদি সঙ্গীত শুনি।
মহাপুৰুষৰ গীতৰ ধ্বনিৰে মুখৰিত কৰি দেশ,
এতিয়াও কৰে নিছলা প্রজাই দিনৰ ভাগৰ শেষ।
কোন বীৰে যুঁজ কেনেকৈ কৰিলে,কেনেকৈ এৰিলে প্রাণ,
কোন আগস্তিয়ে দেশৰ কাৰণে শৰীৰ কৰিলে দান।
সতী ৰাণী কোনে পতিৰ কাৰণে জীৱন আহুতি দিলে,
ৰজাই বা কোন বিক্রমৰ দৰে ৰাজসভা পাতিছিলে।
কোন দ্রোহীয়াই দেশৰ লখিমী পৰৰ হাতত তুলি,
মাতৃভাষাৰ মাতৃভূমিৰ শোকত ছিঙালে চুলি।
জননীৰ মোৰ শুৱলা ভাষাৰ শঙ্কৰ মাধৱ কবি,
দেৱ দামোদৰ, ৰাম সৰস্বতী ভাষা-সৱগৰ ৰবি,
হেমৰ কীৰিতি গুণাভিৰামৰ মনত সকলো আছে,
এবাৰ ভাবিলে জননী তোমাক উলাহত প্রাণ নাচে।
সুখৰ দুখৰ সকলো কাহিনী হাঁহি-কান্দি আছে কই,
তোমাতে বোৱালে মহাপুৰুষেও প্রেম-অমৃতৰ নই।
সুখৰ হাঁহিটি দুখৰ বিননি তুমিয়ে সবাৰো গুৰি,
জীৱনত যিটি পাবলৈ নাই জগতো ফুৰিলে ঘুৰি।
'আই' বুলি যিটি ভাষাৰে মাতিলো লও 'দয়াময়' নাম,
জীৱনৰ মোৰ শেষৰ প্রার্থনা যিটি ভাষাৰেই গাম—
বিদেশত যিটি মাত শুনি মোৰ ৰঙত চকুলো জৰে,
সেয়ে মাথো মোৰ অন্তিকে নিজৰ অন্তৰ পোহৰ কৰে।

বলিয়াৰ বীণ বলিয়া বোলক বাজ আজি বাজ তই,
তোৰ সুৰ শুনি কত বলিয়াৰ চকুৰ লোতক বয়।
দেৱৰো যি দেৱ মহাদেৱ নিজে বলিয়া যদিহে হয়,
ক্ষতি কিবা তাত বলিয়ালি বুলি যদি কোনোবাই কয়?
তোৰ গীত আৰু নোৱাৰে ঘিণাব আছে তাতে মৌচাক,
ঘূৰি ঘূৰি আহি তোকেই মাতিব—নামাতি মাতিব কাক?
বাজ বীণ বাজ সুদিন আহিছে পূবত পোহৰে সৌ,
অতি মৰমৰ মাতৃভাষাৰ গীতেৰে বৰষি মৌ।

অণু-পৰিণামবাদ

(৩)

—শ্ৰীযুত চক্ৰপাণি দাস, বি-এছছি

বস্তুৰ অৱস্থাৰ পৰিবৰ্ত্তন

যেতিয়া এটা বস্তুৱে এটা অৱস্থাৰপৰা অইন এটা অৱস্থালৈ যায় তেতিয়া কি কি বিশেষ কথা লক্ষ্য কৰিব পাৰি আৰু সেইবিলাকক কেনেকৈ ব্যাখ্যা কৰিব পাৰি চোৱা যাওক। প্ৰথমতে গোটা অৱস্থাৰপৰা জুলীয়া অৱস্থালৈ যাবৰ সময়ৰ ব্যৱহাৰ পৰীক্ষা কৰি চোৱা যাওক। আগেয়ে কৈ অহা হৈছে যে গোটা বস্তুবিলাকক ঘাইকৈ দুটা ভাগত ভাগ কৰিব পাৰি—amorphous আৰু crystalline amorphous বস্তুক অৰ্থাৎ যি বস্তুৰ এটা পৰিপাটি গঠন নাই, তপতাই গৈ থাকিলে তাৰ তাপ বাঢ়ি গৈ গৈ লাহে লাহে বস্তুটো ঢিলা হৈ যায় আৰু শেষত জুলীয়া হয়। অইনপক্ষে crystalline বস্তুবিলাকক (যিবিলাক বস্তুৰ পৰিপাটি গঠন আছে—লোণ, মিশ্ৰি, বৰফ ইত্যাদি) তপত কৰি থাকিলে বস্তুটোৰ তাপ বাঢ়ি গৈ গৈ এসময়ত বস্তুটোৰ তাপ আৰু নুঠা হয়। বস্তুটোৰ ভিতৰত এটা thermometer অৰ্থাৎ তাপমান যন্ত্ৰ সুমাই থোৱা থাকিলে দেখা যায় যে এই সময়তে বস্তুটো গলি জুলীয়া অৱস্থালৈ যাব ধৰে, পাৰদখিনি একে ঠাইতে থাকে। এই সময়তে বস্তুটো গলি জুলীয়া অৱস্থালৈ যাব ধৰে আৰু আটাইখিনি বস্তু গলি জুলীয়া নোহোৱা পৰ্য্যন্ত তাপ একেদৰে থাকে। এই অৱস্থাত তাপমানযন্ত্ৰৰ যি তাপ উঠে তাকে বস্তুটোৰ melting point বোলা হয় আৰু আমি কওঁ যে crystalline বস্তুবোৰৰ একোটা sharp melting point আছে। অইনপক্ষে amorphous বস্তু এটাৰ melting pointটো সেই সময়ৰ বতাহৰ ওপৰত নিৰ্ভৰ কৰে। সাধাৰণতে বতাহত যি চাপ থাকে সেই পৰিমিত চাপত বৰফ ০ ডিগ্ৰী চেণ্টিগ্ৰেডত গলি যায়। বস্তু এটা গৰম কৰি গৈ থাকিলে বাহিৰৰপৰা বস্তুটোৱে যি শক্তি গ্ৰহণ কৰে সাধাৰণতে তাৰ প্ৰায় আটাইখিনিয়েই বস্তুটোৰ তাপ হিচাপে প্ৰকাশ পায় আৰু সেইদেখি তাপমানযন্ত্ৰৰ পাৰদ উঠি গৈ থাকে; কিন্তু crystalline বস্তু এটাই যেতিয়া তাৰ melting pointঅত উপনীত হয় গৈ তেতিয়া বস্তুটোৱে বাহিৰৰপৰা যি শক্তি পায় তাক নিজৰ গোটা অৱস্থা সলাই জুলীয়া অৱস্থালৈ যাওঁতে অণুবিলাকক যি শক্তিৰ দৰ্কাৰ হয় সেই শক্তি যোগাওঁতে খৰচ হয়। ১ গ্ৰাম ০ গোটাবস্তু জুলীয়া বস্তুত পৰিণত কৰিবলৈ যিমানখিনি শক্তি বাহিৰৰপৰা দিবলগীয়া হয় সেই শক্তিখিনিকে Latent heat of fusion বোলা হয়। Latent মানে সুপ্ত বা লুকাই থকা বুজায়; ইয়াত latent শব্দটো ব্যৱহাৰ কৰা হৈছে এইবাবে যে বাহিৰৰ পৰা বস্তুটোক তাপ দিয়া হয় অথচ তাপমানযন্ত্ৰেৰে এই তাপখিনি ক'লৈ গল একো কব নোৱাৰি। ০ ডিগ্ৰীৰ ১ গ্ৰাম বৰফক ০' ডিগ্ৰীৰ পানীত পৰিণত কৰিবলৈ হলে ৭৯ কেলোৰি ০ তাপশক্তি দিব লাগে; গতিকে আগত কৈ অহা সংজ্ঞামতে পানীৰ Latent heat of fusion ৭৯ কেলোৰি। Crystalline অৰ্থাৎ দানা আকাৰত থকা বস্তুবিলাকৰ latent heat of fusion আছে; কিন্তু amorphous বস্তুবিলাকৰ latent heat of fusion নাই আৰু সেইবাবেই সিহঁতৰ নিৰ্দ্দিষ্ট melting pointও নাই।

এটা কথা লক্ষ্য কৰিব লগীয়া যে amorphous বস্তুবিলাকৰ গোটা অৱস্থাৰপৰা জুলীয়া অৱস্থালৈ যাবৰ সময়ত এটা ধাৰাবাহিকত্ব লক্ষ্য কৰিব পাৰি; কিন্তু crystalline বস্তুবিলাকৰ বেলিকা এই ধাৰাবাহিকত্বটোৰ অভাৱ দেখা যায়—সিবিলাকে হঠাৎ খাঁটি গোটা অৱস্থাৰ পৰা খাঁটি জুলীয়া অৱস্থাত উপনীত হয়গৈ। এই শ্ৰেণীৰ বস্তুবিলাকে সিহঁতৰ জীৱনৰ এছোৱা বাট হনুমানে লঙ্কা পাৰ হোৱাদি অতিক্ৰম কৰা যেন দেখা যায় কিয়? এই বিলাক বস্তুৰ জীৱনৰ ইছোৱা বাটৰ তেনেহলে অস্তিত্ব নাই নেকি? আকৌ এক শ্ৰেণীৰ বস্তু আছে—সিহঁতো অৱশ্যে crystalline—যিবিলাকে গোটা অৱস্থাৰ পৰা পোনেই বাষ্পাৱস্থা পায়গৈ। এনেকৈ এটা বস্তু গোটা অৱস্থাৰ পৰা বাষ্পাৱস্থালৈ যোৱা কথাটোকে ইংৰাজীতে sublimation বোলা হয়। আইডিন্, এমোনিয়াম্ ক্লোৰাইড প্ৰভৃতি বস্তু এই শ্ৰেণীৰ ভিতৰত পৰে। এই শ্ৰেণী বস্তুৰ জুলীয়া অৱস্থাটো অসম্ভৱনে? Crystalline বস্তুবিলাকৰ এনেকুৱা 'খাম্‌খেয়ালী' ব্যৱহাৰৰ কাৰণ ব্যাখ্যা কৰিবলৈ যোৱাৰ আগতে আকৌ বৰফৰ উদাহৰণলৈ অহা যাওক। আমি আগেয়ে কৈ আহিছোঁ যে বৰফ গৰম কৰি গৈ থাকিলে শূন্য ডিগ্ৰীত বাহিৰৰপৰা তাপ গ্ৰহণ কৰি পানীত পৰিণত হয়। এতিয়া ওভোতাপিনৰ পৰা গৈ চোৱা যাওক; অৰ্থাৎ পানীৰ পৰা ক্ৰমশঃ তাপ উলিয়াই গৈ থাকোঁ। প্ৰথমে পানীখিনিৰ তাপ কমি গৈ থাকিব কিন্তু যেতিয়া শূন্য ডিগ্ৰীত গৈ উপনীত হব তেতিয়া বহুত পৰলৈ তাপ একেৰকমে থাকিব। এই সময়ত পানী গোট মাৰিবলৈ ধৰে আৰু যেতিয়ালৈ আটাইখিনি পানী বৰফত পৰিণত নহয়গৈ তেতিয়ালৈ তাপ একেৰকমে থাকিব। এই সময়ত বৰফ গৰম কৰোঁতে যি হৈছিল ঠিক তাৰ ওভোতাটো হব অৰ্থাৎ বৰফৰ পৰা পানীত পৰিণত হবৰ সময়ত যি পৰিমাণ শক্তি বৰফক দিব লগীয়া হৈছিল এতিয়া ঠিক সেই পৰিমিত শক্তি পানীৰ পৰা বৰফ হবৰ সময়ত উলিয়াই আনিব লাগিব। কিন্তু যদি পানীৰ পৰা খুব লাহে লাহে তাপ উলিয়াই অনা হয় তেনেহলে গোট মাৰিব নিদিয়াকৈ পানীক শূন্য ডিগ্ৰীৰ বহুত তললৈ নিব পৰা যায়। এতেকে আমি কব পাৰোঁ যে শূন্য ডিগ্ৰীৰ বহুত তলতো পানীৰ জুলীয়া অৱস্থা সম্ভৱপৰ হয়। সেইদৰে আইডিন্ প্ৰভৃতিকো গৰম কৰিবৰ সময়ত খুব বেছি চাপ দিয়া হলে সিবিলাকক জুলীয়া অৱস্থালৈ নিব পৰা যায়। অইন পক্ষে বৰফক কম চাপত ৰাখি গৰম কৰিলে বৰফক পোনেই বাষ্পাৱস্থালৈ নিব পাৰি। এতেকে কব পাৰি যে আইডিন্ প্ৰভৃতি বস্তুৰ জুলীয়া অৱস্থাটো অসম্ভৱ নহয় কিন্তু সাধাৰণতে পানী শূন্য ডিগ্ৰীৰ তলত জুলীয়া অৱস্থাত নাথাকে কিয় আৰু বৰফ গৰম কৰি গৈ থাকিলে কেলেই ০ ডিগ্ৰীলৈ তাপ উঠাৰ আগতে কেতিয়াও জুলীয়া নহয় নাইবা আইডিন প্ৰভৃতিয়ে কিয় গোটা অৱস্থাৰ পৰা একেদমে বাষ্পাৱস্থা পায়গৈ ইত্যাদি কথাৰ প্ৰশ্নৰ উত্তৰত এই শ্ৰেণীৰ বস্তুৰ পৰিপাটি গঠনটোকে (Regular crystalline structure) দায়ী বুলি কব পাৰি। গোটা বস্তুৱে যদি একে সময়তে crystalline আৰু amorphous দুয়োটা অৱস্থাতে থকাটো সম্ভৱপৰ হয় তেতিয়া crystallnie অৱস্থাটোত amorphous অৱস্থাতকৈ অন্তৰ্নিহিত শক্তি

০ গ্ৰাম বস্তুৰ পৰিমাণ বুজোৱা জোখ। আমি বস্তুৰ পৰিমাণ বা ওজন তোলা কাচ্চা ছটাক প্ৰভৃতিৰে যেনেকৈ প্ৰকাশ কৰোঁ বৈজ্ঞানিকসকলে তেনেকৈ গ্ৰাম কিলোগ্ৰাম প্ৰভৃতিৰে প্ৰকাশ কৰে।

০ কেলোৰি তাপশক্তিৰ পৰিমাণ বুজোৱা জোখ—বৈজ্ঞানিকসকলে তাপশক্তিকো জুখিব পাৰে।

থকা বাবে কমতকৈ কম অন্তর্নিহিত শক্তিৰ বিধানমতে (principle of minimum potential energy) crystalline অৱস্থাটোৰ পিনে এটা স্বাভাৱিক টান থাকিব। আৰু সেইবাবেই বৰফ গৰম কৰি গৈ থাকিলে বৰফখিনিয়ে যেতিয়ালৈকে সম্ভৱ তেতিয়ালৈকে নিজৰ পৰিপাটি গঠনটো বজাই ৰাখি চলিবলৈ চেষ্টা কৰিব আৰু শুদ্ধ ডিগ্ৰীৰ বহুত তলবপৰাই জুলীয়া অৱস্থাটো সম্ভৱপৰ যদিও বৰফখিনিয়ে পৰাপক্ষত জুলীয়া হব নাচায়। কিন্তু শুদ্ধ ডিগ্ৰীৰ পাছত তাৰ পৰিপাটি গঠনটো ৰক্ষা কৰা অসম্ভৱ গতিকে তেতিয়া বাধ্য হৈ বৰফে অৱস্থান্তৰ গ্ৰহণ কৰে। এই অৱস্থান্তৰ গ্ৰহণ কৰিবৰ সময়ত যি পৰিমাণ শক্তি বাহিৰৰ পৰা দিবলগীয়া হয় সেয়ে তথাকথিত latent heat of fusion ; কিন্তু বৰফ প্ৰকৃতি বস্তুৰে এইদৰে শক্তি লুকাই থোৱাৰ কাৰণ ওপৰে ওপৰে চাব গলে গোটা অৱস্থাবপৰা জুলীয়া অৱস্থালৈ যোৱাটোৱেই হলেও বস্তুটোৰ পৰিপাটি গঠনটো নষ্ট হোৱাটোহে আচল কাৰণ বুলি কলে বেছি শুদ্ধ হব। বৰফ প্ৰকৃতিৰ পৰিপাটি গাঁথনটো ভাঙ্গি অণুবিলাকক ছেলেলি ভেদেলি কৰি দিব লাগিলে বাহিৰৰ পৰা শক্তি প্ৰয়োগ কৰিব লগা হয় কিন্তু সেই পৰিমিত শক্তি পালে অণুবিলাক জুলীয়া অৱস্থাৰ অণুৰ দৰে সজেজ হৈ উঠে। আইডিন প্ৰকৃতি বস্তৰ অণুবিলাকক বিশৃঙ্খল কৰি দিবলৈ যি শক্তি লাগে সেই পৰিমিত শক্তি পালে সিহঁত গেচৰ অণুৰ নিচিনা শক্তিশালী হৈ উঠে। মাহীবো বাৰ্ত্তা গঙ্গাবো যাত্ৰাৰ নিচিনা যেতিয়া একেলগে দুটা কাম সমাধা হয় তেতিয়া তাবে ভিতৰৰ মিটো সহজে চকুত পৰে সেইটোকে মানুহে মুঠা বান্ধি ধৰে। গোটাবস্তু আৰু জুলীয়া বস্তৰ ভিতৰৰ পার্থক্যটো বিমান সহজে ধৰিব পাৰি, কোনটো বস্তু crystalline কোনটো amorphous তাক তিমান সহজে ধৰিব নোৱাৰি ; গতিকে বৰফে শুদ্ধ ডিগ্ৰীত তাপমানযন্ত্ৰক ফাঁকি দি তাপ লুকাই থোৱাৰ কাৰণ বৰফ গোটা অৱস্থাবপৰা জুলীয়া অৱস্থালৈ যোৱাটোহে সাধাৰণতে বুজা হয়।

অইনপক্ষে amorphous বস্তৰ অণুবিলাকে জুলীয়া অৱস্থাৰ অণুৰ দৰেই বিশৃঙ্খলভাৱে থাকে আৰু সেইবাবেই বহুতে amorphous বস্তুবিলাকক খাঁটি গোটা বস্তু নুবুলি super cooled liquid অৰ্থাৎ অতিকৈ ঠাণ্ডা হোৱা জুলীয়া বস্তু বুলি কয়। সেইবাবেই crystalline বস্তুবিলাকক জুলীয়া অৱস্থালৈ নিবৰ সময়ত সিহঁতৰ পৰিপাটি গঠন নষ্ট কৰাৰ বাবে যি দণ্ড দিবলগীয়া হয় ইয়াত সেইটো নাই অৰ্থাৎ amorphous বস্তুবিলাকৰ latent heat of fusion নাই। যদি আমাৰ এনেকুৱা উপায় জনা থাকিলেহেঁতেন যাবদ্বাবা বৰফ প্ৰকৃতিকে গোটা অৱস্থাতে crystalline পৰা amorphousলৈ নিব পৰা গ'লহেঁতেন তাৰ পাচত বস্তুটোক amorphous অৱস্থাবপৰা জুলীয়া অৱস্থালৈ নিলে তেতিয়া আৰু বস্তুটোৰ latent heat of fusion বুলিবলৈ একো নাথাকিলহেঁতেন। আমি প্ৰথন প্ৰবন্ধত গন্ধকৰ বিষয়ে কৈ আহিছোঁহক। Rhombic sulphur ১১২°৮ ডিগ্ৰীত জুলীয়া অৱস্থালৈ যায়। কিন্তু যদি rhombic sulphurক আঁৰতে monoclinic sulphurত পৰিণত কৰা হয় তেনেহলে monoclinic sulphur ১১৯°২ ডিগ্ৰীত জুলীয়া হব। আকৌ জুলীয়া sulphurক হঠাৎ ঠাণ্ডা কৰিলে ববৰৰ আঠাৰ নিচিনা plastic sulphur পোৱা যায়। এইবিধ amorphous হোৱা বাবে এইবিধক গৰম কৰি জুলীয়া অৱস্থালৈ নিবৰ সময়ত sharp melting point লক্ষ্য কৰিব পৰা নাযায় গতিকেই তাৰ latent heat of fusion নাথাকে। মুঠকথা দানা অৱস্থাৰ পৰা জুলীয়া অৱস্থালৈ যোৱাটো একবকম গোটা অৱস্থাৰে যোৱাৰ নিচিনাই এটা ঘটনা (process)। গোটা অৱস্থাত থাকি কল সলালেও বস্তুটোৰ বাহিৰৰপৰা শক্তি যি অন্তৰ্দ্ধান কৰে নাইবা শক্তি কিছুমান উলিয়াই দিয়ে আৰু গোটা অবস্থাবপৰা জুলীয়া নাইবা জুলীয়া অৱস্থাৰ পৰা গোটা অৱস্থালৈ যোৱাৰ সময়তো সেয়ে হয়। গোটা অৱস্থাবে ইটোৰপৰা সিটোলৈ যাব লাগিলে যি শক্তি বাহিৰৰ পৰা দিব লাগে তাক latent heat of transition বুলি কব পাৰি।

এতিয়া amorphous বস্তুবিলাকৰ গোটা অৱস্থাবপৰা জুলীয়া অৱস্থালৈ যাওঁতে কি হয় চোৱা যাওক। এই শ্ৰেণীৰ বস্তৰ অণুবিলাক জুলীয়া বস্তৰ অণুৰ দৰেই বিশৃঙ্খল হৈ থকা বুলি আগতে কৈ অহা হৈছে। আচলতে amorphous বস্তুবিলাকৰ জুলীয়া বস্তৰ লগত পার্থক্য এইখিনিতে যে ইহঁতৰ অণুবিলাকৰ প্ৰত্যেকেই অইন অণুৰ প্ৰভাৱৰ বাবে একো একোডোখৰ ঠাইতে বন্দী হৈ থাকে কিন্তু জুলীৰ বস্তৰ অণুবিলাকে এনেকৈ একেডোখৰ ঠাইতে বন্দী হৈ নাথাকি ইঠাইৰপৰা সিঠাইলৈ যাব পাৰে। Amorphous বস্তুবিলাকক গৰম কৰি গলে অণুবিলাকে ৰাহিবণপৰা দিয়া শক্তি গ্ৰহণ কৰি চুটা চুটাকৈ জুলীয়া অৱস্থাৰ অণুৰ নিচিনা শক্তিশালী হৈ উঠে আৰু যিমানে জুলীয়া অবস্থাৰ অণুৰ সংখ্যা বাঢ়ি যাব তিমানেই বস্তুটো ঢিলা হৈ যাব আৰু প্ৰথমে লালি, মৌ প্ৰকৃতিৰ নিচিনা আধা গোটা আধা জুলীয়া বস্তু (যিবিলাকক viscous liquid বোলা হয়) হব আৰু শেহত গৈ খাঁটি জুলীয়া বস্তু হবগৈ। এতেকে দেখা গল যে amorphous বস্তুবিলাক অৱস্থা পৰিবৰ্ত্তনৰ সময়ত বহুপৰিলে গোটা আৰু জুলীয়া অৱস্থাৰ অণুৰ সংমিশ্ৰণ মাথোন ; আৰু ভালকৈ চাব গলে সকলো জুলীয়া বস্তুতে গোটা বস্তুৰ গুণবিলাক সামান্যৰকমে থকাটো ধৰিব পাৰি। জুলীয়া বস্তুৰ পৰা ভাপ ওলোৱাৰ পৰা জুলীয়া বস্তুৰ ভিতৰত বাষ্পাৱস্থাৰ অণু থকাটোও প্ৰমাণ হয়। গতিকে দেখা গ'লে জুলীয়া বস্তুৰ ভিতৰত তিনিওটা অৱস্থাৰে অণু বিদ্যমান। কিন্তু অৱস্থাৰ অণুৰ তুলনাত বাকী দুই অৱস্থাৰ অণুৰ সংখ্যা নিচেই তাকৰ। গোটাবস্তুবিলাকতো জুলীয়া অৱস্থাৰ এনেকি বাষ্পাৱস্থাৰ অণুও বিদ্যমান থাকে, বৰফ আইডিন্ প্ৰভৃতি গোটাবস্তুৰ ভাপ উঠাঁহৰপৰাই সেইটো প্ৰমাণ হয়। সেইদৰে গেচৰ ভিতৰতো দুই মিহী গোটা আৰু জুলীয়া অৱস্থাৰ গুণবিশিষ্ট অণু থকাটো একো আচৰিত নহয়।

আমি কৈ আহিছোঁ যে পানীক লাহে লাহে ঠাণ্ডা কৰি গ'লে শুদ্ধ ডিগ্ৰীৰ বহুত তললৈ নিব পাৰি ; আৰু আমি দেখিছোঁ যে ০ ডিগ্ৰীৰ তলত পানীৰ বৰফ অৱস্থাটোহে বেছি স্বাভাৱিক কিন্তু লাহে লাহে ঠাণ্ডা কৰি গ'লে শুদ্ধ ডিগ্ৰীৰ তলতো পানী বৰফ নহয় কিয়? আমি আগেয়ে কৈ আহিছো যে এটা বস্তুৰে বেছি অন্তর্নিহিত থকা অৱস্থা এটাৰ পৰা তাতকৈ কম অন্তর্নিহিত শক্তি থকা অৱস্থা এটালৈ স্বাভাবিকতে যাব খোজে যদিও অৱস্থান্তৰ গ্ৰহণ কৰিবৰ সময়ত এটা প্ৰাথমিক জোৰ (starting force) বস্তুটোক দিব লাগে। ইয়াৰ কাৰণ পাৰ্থিব বস্তুবিলাকৰ জড়ত্ব (Inestia) বাজে অইন একো নহয় যাৰ বাবে এটা বস্তুৰে এটা অৱস্থাবপৰা অইন এটা অৱস্থালৈ যাবলৈ টান পায়।* এই বিষয়ে কেবাটাও উদাহৰণ আগেয়ে দি আহিছোঁ গতিকে আৰু ইয়াত সিবিলাকৰ পুনৰুক্তি নকৰোঁ। পানীখিনি বেগাই ঠাণ্ডা কৰিলে এই প্ৰাথমিক জোৰটো পায় ; কিন্তু লাহে লাহে ঠাণ্ডা পৰিলে যগেই পৰিমাণ প্ৰাথমিক জোৰ নাপায় গতিকে বস্তুটো জুলীয়া অৱস্থাতে থাকি যায়। কিন্তু যদি পানীখিনি জোৰেবে জোকাবি নাইবা অকণমান বৰফ এটুকুবা পেলাই দিয়া হয় তেনেহলে তৎক্ষণাৎ কিছুমান বৰফ গোট মাৰে আৰু গোটেইখিনিয়ে শুদ্ধ ডিগ্ৰীলৈ উঠে ; তাৰ পাচত ঠাণ্ডা নকৰিলে আৰু বেটিকৈ পানী গোট মাৰিব নোৱাৰে। কিন্তু লাহে লাহে ঠাণ্ডা কৰিলেই বা প্ৰাথমিক জোৰ নাপায় কিয় আৰু বেগাই ঠাণ্ডা কৰিলে নাইবা বৰফ পেলাই দিলেই বা কেনেকৈ পায়, চোৱা যাওক। আগৰ পেৰেগ্ৰাফত কৈ অহা মতে পানীৰ অণুৰ মাজত ক্ষুদ্রাতিক্ষুদ্র বৰফৰ দানা কিছুমান আৰু বাষ্পাৱস্থাৰ অণু কিছুমান থকা বুলি কল্পনা কৰি লওক। যিমানে তাপ বাঢ়িব তিমানে বাষ্পাৱস্থাৰ অণুৰ সংখ্যা বাঢ়ি যাব আৰু বৰফৰ কণাৰ সংখ্যা কমি যাব আৰু তাপ কমি গলে তাৰ ওলোটাটো হব।

আৰু কল্পনা কৰি চাওক জুলীয়া আৰু বাষ্পাৱস্থাৰ

* নিউটনৰ গতিবিধিৰ প্ৰথম সূত্ৰটোত বস্তুৰ জড়ত্ব বিষয়েই কোৱা হৈছে। নিউটনৰ গতিবিধিৰ প্ৰথম সূত্ৰটো স্থানান্তৰত যি আহিছোঁ যদিও এইখিনিতে আৰু এবাৰ কলে বেয়া নহব। সেইটো হৈছে—Everybody continues in its state of rest or of uniform motion in a straight line except in so far as it may be compelled by force to change of state.

অণুবোৰে আক বৰফৰ কণাবোৰে কোনেও একে ঠাইতে থিতাপি হৈ নাথাকি যেয়ে যিপিনেই পাইছে সেই পিনেই অনবৰত ঘূৰি ফুৰিব ধৰিছে; সেই বাবেই এসময়ত এডোখৰ ঠাইত থিকেইটা অণু নাইবা বৰফৰ টুকুৰা থাকিব তাৰ পাচৰ মুহূৰ্ততে আক সেই কেইটা নাথাকিব। এইদৰে কল্পনা কৰাৰ পাচত বস্তুটো শেষ সীমাত গৈ inhomogeneous অৰ্থাৎ বিভিন্ন ঠাইত বিভিন্ন গুণযুক্ত হয় গৈ। এতিয়া বস্তুটোৰ অতি সামান্য অংশ এটা,—যেনে এক ইঞ্চিৰ দহহেজাৰ ভাগৰ এভাগ বাহৰ ঘনক্ষেত্ৰ এটাৰ সমান ঠাই আওৰি থকা অংশ এটা লৈ তাত হয়তো জুলীয়া অৱস্থাৰ অণু কৌটি কৌটি থাকিব আক সেইদৰে বৰফৰ টুকুৰা নাইবা বাষ্পাৱস্থাৰ অণুও হাজাৰে হাজাৰে থাকিব; গতিকে আগৰ ফুটনোট এটাত কৈ অহা বিধাট সংখ্যাৰ বিধান (law of large number) অনুসাৰে বস্তুটোৰ যেই সেই ঠাইবপৰা এনেকুৱা অংশ এটা লৈ আক বাহিক কোনো কাৰণ উপস্থিত নহলে তাত কোনো এটা মুহূৰ্ততে যি সংখ্যাৰ অণু নাইবা বৰফৰ কণা থকিব অইন যেই সেই মুহূৰ্ততে সমান সংখ্যাৰ অণু নাইবা বৰফৰ কণা থাকিব। গতিকে আমি বস্তুটোক মুঠৰ ওপৰত homogeneous অৰ্থাৎ সকলো ঠাইতে সমান গুণবিশিষ্ট বুলিব পাৰোঁ। যেতিয়া খুব লাহে লাহে বস্তুখিনি ঠাণ্ডা কৰা হয় তেতিয়া সকলো ঠাইতে সমানভাবে পৰিবৰ্তন হৈ যায় কাজেই বস্তুটোৰ গুণ সকলো ঠাইতে একেৰকমে থাকে। ধৰি লক শূন্যৰ কেইডিগ্ৰীমান তলত পানী কিছুমান আছে। আমি কল্পনা কৰি অহা বৰফৰ টুকুৰা এটাৰ লগত পানীৰ কণিকা এটাৰ ভেটাভেটি হলে বৰফৰ টুকুৰাটোৱেই পানীৰ কণিকাটোক টানি নি বৰফত পৰিণত কৰি নিজৰ অবয়ব বৃদ্ধি কৰিব চাব। কিন্তু এনেকুৱা কৰোঁতে কণিকাটোৰ গাৰপৰা শক্তি কিছুমান (latent heat) ওলাই যোৱাবোৰে ওচৰৰ ঠাইডোখৰ অলপমান গৰম হৈ উঠিব আক লগে লগে বৰফৰ কণাটোও আংশিকৰূপে গলি যাব পাৰে। গতিকে এই ওলোটা প্ৰথাটো থকাবোৰে পানীৰ কণিকাবে লগলাগি বৰফৰ কণা এটাই বিশেষ বৃদ্ধিপ্ৰাপ্ত হব নোৱাৱে। কিন্তু যদি বৰফৰ অইন এটা কণাৰ লগত লগ লাগে তেতিয়া হলে এনেকুৱা কৰোঁতে কোনো শক্তি উৎপন্ন নহয় বাবে এই উপায়ে বৰফকণাটো বৃদ্ধিপ্ৰাপ্ত হোৱা সহজ। কিন্তু এনেকুৱা বৰফকণাৰ সংখ্যাল্পতা আক ক্ষুদ্ৰতা হেতুকে এটা বৰফ কণাৰ অইন বৰফ কণাবোৰৰ লগত ভেটাভেটি হবৰ সম্ভাবনা কম; কিন্তু তাপশূন্য ডিগ্ৰীৰ যিমান তললৈ নামি যায় তিমানেই বৰফকণাৰ অইনবিলাকৰ লগত ভেটাভেটি হোৱাৰ সম্ভাবনাও বাঢ়ি যায় আক সেইবাবে শেহত গৈ বৰফখিনি পানীৰ পৰা এফলীয়া হয়। সেইদৰে এটুকুৰা অকণমান বৰফ পেলাই দিলেও পেলাই দিয়া বৰফৰ টুকুৰাটো যিমানেই সৰু নহক কিয় পানীখিনিৰ ভিতৰত থকা অণু নাইবা ক্ষুদ্ৰাতিক্ষুদ্ৰ বৰফ কণাবোৰতকৈ হাজাৰ হাজাৰ গুণ ডাঙৰ হব; সেইবাবে ইয়াৰ নিইৰত লগত ভেটাভেটি হবৰ সম্ভাৱনাও সেই অণুপাতে বেছি গতিকে ক্ষুদ্ৰ ক্ষুদ্ৰ বৰফ কণাবোৰে তৎক্ষণাৎ আহি ইয়াৰ গাত লাগি ধৰি বাকী পানীখিনিৰ পৰা পৃথক হৈ পৰে আক লগে লগে কিছুমান পানীৰ কণিকাও বৰফত পৰিণত হোৱাৰ বাবে তাপ উৎপন্ন হয় আক আটাই খিনিয়েই শূন্য ডিগ্ৰীলৈ উঠে। সেইদৰে ভোবেবে জোকাৰি দিলেও বৰফৰ কণা আক পানীৰ অণুৰ মাজত পদাৰ্থবিদ্যাগৰ তাৰতম্য থকা বাবে (কিয়নো কেইটামান অণু লগলাগি এটা বৰফ কণা তৈয়াৰ হয়) কৰণাত একেলগে বহুত বৰফৰ কণা থুপ খায় আক বহুত বৰফৰ কণা লগলাগি এডোখৰ ডাঙৰ বৰফকণা প্ৰস্তুত হলে বাহিৰবপৰা বৰফ এডোখৰ পেলাই দিয়াৰ নিচিনা ফল হয়। এইদৰে জোকাৰি নাইবা বাহিৰৰ পৰা বৰফ পেলাই দিলে অতিৰিক্ত চেঁচা হোৱা জুলীয়া বস্তু গোট মৰাৰ কাৰণ ব্যাখ্যা কৰিব পাৰি। জুলীয়া বস্তুটোৰ homogenity অৰ্থাৎ সকলো ঠাইতে সমস্বভাবটোৱে আমি আগতে কৈ অহা তথাকথিত জড়ত্বৰ কাৰণ বুলি আমাৰ বিশ্বাস।

আগতে কিছুমান বস্তুৰে গোটা অৱস্থাৰ পৰা পোনে পোনেই বাষ্পাৱস্থালৈ যোৱা বুলি কৈ অহা হৈছে গতিকে

সেই বিষয়ে ইয়াত আক একো নকৈ জুলীয়া অৱস্থাবপৰা বাষ্পাৱস্থালৈ যাবৰ সময়ত কি হয় তাকে চমুকৈ কোৱা যাওক। জুলীয়া অৱস্থাবপৰা গৰম কৰি গলে এসময়ত বস্তুটোৰ তলবপৰা বুৰবুৰণি উঠিবলৈ ধৰে তেতিয়া বস্তুটোৰ উতল অহা বোলা হয়। সেই সময়ত জুলীয়া বস্তুটোৰ তাপ একেৰকমে থাকে আক যি তাপত (Temperature) এনেকুৱা হয় তাকে বস্তুটোৰ boiling point বোলা হয়। Boiling point পোৱাৰ পিছত বাহিৰবপৰা যি শক্তি প্ৰয়োগ কৰা হয় আটাইখিনিয়েই বস্তুটোক জুলীয়া অৱস্থাৰ পৰা বাষ্পাৱস্থাত পৰিণত কৰাত খৰচ হয় আক একগ্ৰাম জুলীয়া বস্তুক বাষ্পত পৰিণত কৰিবলৈ যি পৰিমিত শক্তি দিব লাগে তাকে Latent heat of vaporisation বোলা হয়। এই latent heat জুলীয়া অৱস্থাত ওচৰা-উচৰিকৈ থকা অণুবিলাকৰ সিহঁতৰ আকৰ্ষণীশক্তিৰ বিৰুদ্ধে এটা এটা কৰি পেলোৱাত খৰচ হয়। ১০০ ডিগ্ৰীৰ পানী কিছুমানৰ পৰা যিখিনি বাষ্প উৎপন্ন হয় তাৰ আয়তন ১০০ ডিগ্ৰীৰ পানীখিনিৰ আয়তনৰ ১৭০০ গুণ। ইয়াৰপৰাই অণুবিলাকৰ মাজত ব্যৱধান কিমানদূৰ বঢ়োৱা হয় ভাবি চাব। Boiling point ও melting pointৰ দৰে চাপৰ ওপৰত নির্ভৰ কৰে। উপায় কৰি জুলীয়া বস্তুক Boilig pointৰ অনেক ওপৰলৈ নিব পাৰি—ইয়াকে Superheat বোলা হয়; এই সম্বন্ধে নানা মুনিৰ নানামত আলোচনা কৰি আমাৰ প্ৰবন্ধৰ কলেবৰ দীঘল কৰিবৰ ইচ্ছা আমাৰ নাই। সেইদৰে বাষ্পকো জুলীয়া হব নিদিয়াকৈ Boiling pointৰ বহুত তললৈ নিব পাৰি;—ইয়াকে Supercooling অৰ্থাৎ অতিপাত চেঁচা হোৱা বোলা হয়। আক অতিৰিক্তভাৱে চেঁচা হোৱা পানীয়ে যেনেকৈ বৰফৰ টুকুৰা এটাৰ অবলম্বন নাপালে গোট মাৰিব নোৱাৱে সেইদৰে আতিপাত চেঁচা হোৱা বাষ্পকো তেনেকুৱা কিবা এটা অবলম্বন লাগে। আকাশৰ বতাহত ভাহি থকা সৰু সৰু ধূলিকণা নাইবা বিদ্যুতৰ ভাবাক্রান্ত বতাহৰ অণু (charged air molecules) অবলম্বন কৰিহে হেনো মেঘবিলাক পানীৰ টোপাত পৰিণত হয়।

আমাৰ প্ৰবন্ধৰ কলেবৰ অযথাকপে বাঢ়ি যোৱা বাবে এটা বস্তু অইন এটা বস্তুত গলি গলে কি কি বিশেষ কথা লক্ষ্য কৰিব পাৰি আক কেনেকৈ সেইবোৰ ব্যাখ্যা কৰিব পাৰি তাক আলোচনা কৰাবপৰা বিৰত হলো।

গীত

কথা—শ্রীযুতা কমকলতা ভূঞা সুৰ আক সুৰলিপি—শ্রীযুত নাৰায়ণচন্দ্ৰ বৰুৱা

কোন সুদূৰ অতীত যুগত
বাজিছিল এক বৈষ্ণৱী বীণ,
অমৃত বৰষা সুৰদি সঙ্গীত
নোহে তাৰ আজি কঁপনি লীন।

নিতে নব সুৰে পুলকিত কৰে
অনন্ত অক্ষয় মহিমা গীত,
প্ৰাণে প্ৰাণে উঠে দীপক সুৰ
নামে ভাবে বসে সুৱয় শিৱ॥

সত্যৱ সেৱক আগ্ৰহ ৰাপত
নীতিৰ ডোলেৰে বান্ধিলে চিত্ত
একেটি কথাবে মায়া সিন্ধু পাৰ
কাটিলে শাস্ত্ৰৰ জটীয়া পাশ॥

কোনে নো আপোন আত্মাৰ প্ৰসাদে
শক্তিক দিলে বাহুত বাস।
প্ৰাণৰ বান্ধৱ শত্ৰুবহে তেওঁ।
শুদ্ধ নাই আক অসমৱ কেও।



দিঠক সপোন

গদ্যকবিতা

—শ্ৰীযুত অনাদিচৰণ দেউৰী

মোৰ নাম অনন্ত। আই-বোপায়ে বঢ়িয়া নামটি ৰাখিছিল। কাৰণ মোৰ মন আৰু অন্তস্থাৰ লগত নামটি ঘুমৰকৈ মিলি যায়।

অন্তস্থাৰ বিষয়ে কি কম? সৰুতে আইশ্বোপায়ে এটি ফুটা কড়িও নোহোৱাকৈ এৰি থৈ গ'ল। ৰৰঞ্চ অইনক দিব লগীয়া হে কৰি গ'ল।

আই-বোপাইৰ মৃত্যুৰ পিছত, ডিব্ৰিলৈকে পোত খোৱা ধাৰ আৰু হাতত এটি পাই-পইছা নোহোৱা দেখি ৰাটি-বাৰী সোপাকে ধাৰদিওঁতাসকলৰ হাতত সঁপি দি এজন দূৰসম্পৰ্কীয়া মোমাইৰ ঘৰ পালোগৈ।

লাজ-মান কাতি কৰি থৈ, অশেষ ৰকমৰ লাঞ্ছনা ভুগি কেৱল দুবেলা দুমুঠি ভাত খাই মোমাইৰ ঘৰত থাকি দিয়া শিকাৰ কাৰণে মন-পুতি লাগি গলোঁ। কিন্তু দিনাতাই তাকো সহ্য কৰিব নোৱাৰিলে। এদিন মোমায়ে অযথা গালি-শপনি পাৰি সোৱোপা বুলি ঘৰৰ পৰা বাজ কৰি দিলে।

উচ্চশিকাৰ আশা ত্যাগ কৰি এটি কুৰিটকীয়া কোম্পানীৰ চাকৰিত সোমালো আৰু অশেষ কাকুতি-মিনতি কৰি স্থানীয় উকীল এজনৰ বাবীৰ চুকত এটি পজা-ঘৰ বান্ধি কোনোমতে জীৱন যাপন কৰিব লাগিছো।

অলাউন, অভাৱ আৰু পিতাক ধাৰদিওঁতাসকলৰ নিতৌ কটু কথাই মোৰ জীৱন অসহ্য কৰি তুলিছে। চৰিওপিনে কেৱল আন্ধাৰ দেখিবলৈ ধৰিছোঁ—ক'তো গাৱ নাপাওঁ—অনন্ত।

অন্তস্থাৰ লগে লগে মনবো পৰকিতি লবে। গতিকে মনো অনন্ত গতিত, অনন্ত আশাৰ সন্ধানত ঘুৰিব লাগিছে। গুৱাহাটী পৰা গধূলিলৈকে অবিৰাম গতিত অশেষ চিন্তা নোৱাৰ ধৰিছে।—কেতিয়াবা কোনোবা কৰ্ম্মবীৰ দেশহিতৈষী পুৰুষ নাইবা নামজলা ধনীকপে; কেতিয়াবা আকৌ সংসাৰত্যাগী সন্ন্যাসীৰূপে। বিৰাগহীন গতিত মনে মোট সলাবই লাগিছে।

মাজে মাজে দৰিদ্ৰতা দূৰ কৰিবৰ মনেৰে মনতে Derby sweepৰ প্ৰথম উপহাৰ পাই Rolls Royce চলাইছো। কেতিয়াবা আকৌ সকলোবিলাক ত্যাগ কৰি মোৰ ক্ষুদ্ৰ পঞ্চাটিত কাল্পনিক প্ৰণয়িনীলৈ নৈতে জীৱন কটাব লাগিছো। কি বিচিত্ৰ! বাটে-ঘাটে এটা নহয় এটা চিন্তাই আগুৰি আছে।

কেতিয়াবা "এল্লাস সাৰবা" দবে কোনোবা সপোন-পুৰীৰ কথা ভাবোঁতে ভাবোঁতে আলিবাটৰ মানুহৰ গাত ঠেলা লাগি সকলো দূৰীভূত হৈছে, লগে লগে মানুহ জনৰ পৰাও এটি মধুৰ সম্ভাষণ পাইছো। কিন্তু তালৈ মন কৰিলে চলিব কেনেকৈ? সি অবোধ, নাজানে কাক সি এনেকুৱা বেয়া ব্যৱহাৰ কৰিলে। বাক কোনো কথা নাই, এদিন যেতিয়া তাক আকৌ লগ পাম বাটত ঠেলা-ঠেলিকৈ নহয়, মোৰ Rolls Royceৰ তলত চেপা পৰো পৰো হওঁতে তেতিয়া তাক আজিৰ ঘটনাটি সোঁৰাই দিম।

আজি মোৰ এটি নতুন ভাব উপস্থিত হৈছে। এইবাৰ মই ধনী, দুবীয়া বা কৰ্ম্মবীৰ নহওঁ। এইবাৰ মই এটি নামজলা বৈজ্ঞানিক। দিনে-বাতি কত ডাঙৰ ডাঙৰ বৈজ্ঞানিক তথ্য আবিষ্কাৰ কৰিব লাগিছো তাৰ লেখ নাই। ইংলণ্ড, জাৰ্ম্মানী প্ৰভৃতি নানা দেশৰ পৰা ডাঙৰ ডাঙৰ বৈজ্ঞানিকসকলে মোৰ লগত তথ্যবিলাকৰ বিষয়ে আলোচনা কৰিবলৈ আহিছে। মই গম্ভীৰভাৱে এটি-এটিকৈ তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ দিব লাগিছো আৰু তেওঁলোকে মোক শলাগি তেওঁলোকৰ দেশৰ বাতৰি-কাকতবিলাকত মোৰ সুখ্যাতি প্ৰকাশ কৰিব লাগিছে।

হঠাৎ মনত পৰিল বেলি বহুত হ'ল। খাই-বই উঠি সোনকালে শুব লাগিল—কাইলৈ পুৱাতে কামলৈ যাব লাগিব। চাকৰটোক মাত লগাই সুধিলো—"ভাত হৈছে নে?" সিও জেকেৰা এটা মাৰি জনালে যে ভাত হবৰ বহুত পৰ হ'ল। শুদা ডালি আৰু ভাত হওঁতে কিমান পৰ নো লাগে!

ভাতৰ পাতত বহি আকৌ Philosophy আৰম্ভ হ'ল। আজি মই শুদা ডালি আৰু ভাতহে খাইছো—তাকে বান্ধি দিওঁতে চাকৰটোৱে ইমান গপ দেখুৱালে। বাৰু, এদিন তাৰ নিচিনা এশটায়ো বান্ধি মোৰ তৃপ্তিৰ ব্যঞ্জন যোগাব নোৱাৰিব। ভাবোতে ভাবোতে পাতৰ ভাত পাততে থাকিল। চাকৰটোৱে আহি বিৰ্-বিৰ্কৈ কিবা কৈ গ'ল; কাণত পৰিল কেৱল একাষাৰ কথা, "ভাত গুচি পানী হ'ল"—সুখ-স্বপ্ন ভাগিল। ততাতৈয়াকৈ নাকে-কাণে গুজি ভাতৰ পাতৰ পৰা উঠি আহিলো।

ভগা মাইচাখনত বহি তামোল এখন চোবাই চোবাই মই আকৌ মোৰ সপোনপুৰীত বুৰ মাৰিলো। পৃথিবীৰ আটাইবিলাক সুন্দৰ ঠাই গোট খুৱাই মোৰ অমৰাৱতীখন সাজিবলৈ ধৰিলো। এই অময়াপুৰীৰ তুলনাত ভেনিচ্, পেৰী, জুৰিক্, লণ্ডন একো নহয়। ই মোৰ মস্তিষ্কৰ প্ৰতি ৰেণু খটুৱাই সজা মায়াপুৰী—কলিজাৰ প্ৰত্যেক টুপি তেজেৰে বোলোৱা ৰঙ্গিন ছবি। সাধাৰণ শিল্পীয়ে ইয়াক আঁকিব নোৱাৰে। সাধাৰণ খনিকৰ ইয়াৰ ওচৰ চাপিব নোৱাৰে। ই মোৰ—ইয়াৰ প্ৰত্যেকটি অণু-পৰমাণু মোৰ মস্তিষ্কৰ পৰা ওলোৱা।

প্ৰত্যেকটো ঘৰ, প্ৰত্যেকখন বাৰী, আলিবাট, পুখুৰী মোৰ হাতেৰে সজা—কাৰো হাত নাই—ময়ে ইয়াৰ শাসন-কৰ্ত্তা। মোৰ এই স্বপ্নপুৰীত দুখ বোলা বস্তুটো নাই। শোক-ৰোগে ঠাই নাপায়; কেৱল আনন্দ—চিৰ-আনন্দ। খলুৱা, কপটীয়া, চোৰ, ডকাইতৰ ঠাই ইয়াত নাই। অবিচাৰ, কঠোৰতা, অসন্তোষ কি, কোনেও নাজানে। ইয়াত প্ৰাণী মাত্ৰ মই আৰু মোৰ মানসী প্ৰিয়া।

মোৰ অনন্ত নাম সাৰ্থক কৰি অনন্ত সুখত ভাহিব লাগিছো—বাধা দিওঁতা কোনো নাই। মই মোৰ আকাঙ্ক্ষাৰ উচ্চ সীমান্তত বহি যৌবনৰ ৰূপৰস পান কৰিব লাগিছো।

আজি ৰাস পূৰ্ণিমা—মোৰ যৌবনৰ ৰাসলীলা। এই ৰাসৰ নায়ক মই আৰু নায়িকা মোৰ মানসী প্ৰিয়া। চিৰ বসন্ত। জহ নাই, জাৰ নাই, মহ নাই, ডাঁহ নাই, অন্ধকাৰ নাই; কেৱল জোনাক। সুৰুযে পুৱা আহি সোণালী কিৰণবোৰ ঢালি দি গ'ল, আৰু নিশা জোনবায়ে মোৰ ৰাসলীলাত ৰূপৰসৰ ৰহণ চৰাই দিলেহি। কেউ-পিনে পোহৰ। অন্ধকাৰ অজ্ঞান পুৰীলৈ পলাল।

মোৰ জীৰ্ণ দেহ অস্থি-চৰ্ম্মসাৰ গুচি সুঠাম সুন্দৰ হৈ পৰিছে। ৰূপ দেখি ইন্দ্ৰয়ো যেন লাজ পাইছে। পৰিধানৰ জীৰ্ণ বস্ত্ৰ আৰু নাই। সেই ফটা-ছিটা আভৰণ ক'ৰবালৈ গ'ল। ৰাজযোগ্য বেশ পিন্ধি মোৰ কল্পনা-ৰঙ্গমঞ্চত থিয় দিছোহি।

শত সহস্ৰ দীপালোকৰ তলত বহি ৰাজ-অট্টালিকাৰ উচ্চ সিংহাসনত মানসী-প্ৰিয়াৰে সৈতে প্ৰেমালাপ কৰিছো। শ্ৰীকৃষ্ণই ৰাধিকাক কোৱাৰ দৰে—"দেহি তব পদপল্লৱ মুদাৰম্" বুলি নহয়—আধুনিক কেইটামান কথাৰে। তাত অতিৰঞ্জিত কথা নাই। কবিৰ কাল্পনিক কবিত্ব নাই—আৰম্বৰহীন সহজ ভাষা।

আনন্দ—আনন্দ, নিৰানন্দৰ ছাও সোমাব নোৱাৰে। অসংখ্য দাসদাসীয়ে মোৰ সুখসম্ভোগত আল্‌পৈচান ধৰিছেহি। অপেস্বৰী তুল্যা নৰ্ত্তকীসকলে সুললিত নৃত্যগীতেৰে গোটেইখন পুৰী নচুৱাই তুলিছে। পূৰ্ণ যৌবনৰ পৰিপূৰ্ণ সুখ—অনন্ত। কালি যিবিলাকে মোক ঘৃণাৰ চকুৰে চাইছিল, দৰিদ্ৰ বুলি কাষ চাপিব নিদিছিল আজি মোৰ ৰাজাত সোমাবলৈ তেওঁলোকে অশেষ চেষ্টা কৰিও সফল হ'ব পৰা নাই। তেওঁলোকে কাতৰ হৈ কৈছে—"আমাৰ ধনৰত্ন সকলো তোমাৰ, কেৱল তোমাৰ স্বৰ্গসুখৰ এটি কণা মাত্ৰ আমাক দান কৰা"। মই হাঁহি মাৰি তেওঁলোকৰ কাতৰতাত আনন্দ উপভোগ কৰিছো আৰু লগে লগে জনাই দিছো যে ধন দিলেই এই সুখ নাপায়, ইয়াক নিজে তৈয়াৰ কৰি লব লাগে।

টং-টং-টং বাৰটা বাজিল। চক্ খাই উঠিলোঁ। কাল্পনিক সুখ-নিদ্ৰাৰ পৰা সাৰ পালোঁ। নিশা বহুত হ'ল। লৰালৰিকৈ বিছনাত পৰিলোগৈ।

টোপনি নাহে। ইকাতি সিকাতি কৰি কত যে চেষ্টা কৰিলোঁ—ওঁহো সকলো মিছা। মনত পৰিল এদিন সোণৰ পালেঙত শুয়ো ৰাজকোঁৱৰৰ টোপনি অহা নাছিল। আৰু আজি মোৰ জীৰ্ণ কঁথাখনিত পৰি এনে অৱস্থা; তেনেহলে মোৰ আৰু ৰাজকোঁৱৰৰ প্ৰভেদ কি?



আৱাহন— সাগৰৰ পাৰত

লক্ষ্মীবিলাস প্ৰেস লিঃ

কহিমাত দুমাহ

(৪)

—ৰায় চাহাব শ্ৰীযুত গোপিকাবল্লভ গোস্বামী

৩০ ছেপ্টেম্বৰ তাৰিখে মোৰ দুমাহ পূৰ হোৱাত আৰু ১৫ দিনৰ নিমিত্তে অনুমতি খুজি ডিপুটী কমিচনৰ চাহাবলৈ এখন চিঠি দিলো। মোৰ প্ৰাৰ্থনা ততালিকে মঞ্জুৰ হল। কিন্তু কোনো এটি কাৰণত তাত আৰু থকাতো শ্ৰেয়ঃ বিবেচনা নকৰি পাছদিনা ১ আক্টোবৰ তাৰিখে কহিমা এৰি ডিমাপুৰলৈ আহিলো। কহিমাত থকা দুমাহৰ ভিতৰত ডিপুটী কমিচনৰ চাহাবকে আদি কৰি সকলো চৰ্কাৰী বিষয়াৰ পৰা মৰমচেনেহে আৰু নথৈ সহানুভূতি পাইছিলো। এইবাৰে মই তেওঁলোকৰ ওচৰত ধৰকৰা। এচিষ্টেণ্ট চার্জ্জন বাবু জে, এম্, সেন গুপ্তৰ বিষয়েও যদি মই এনে কথা কব পাৰিলোহেতেন তেন্তে মনত বৰ বং পালো হেতেন। কথাটো খুলি নকলে বোধকৰো তেওঁলৈ অন্যায় কবা হব। মোৰ লবা এটিৰ পেটৰ অসুখ হৈছিল। সেই হেতুকে মোৰ ঘৰলৈ এওঁ চাবিবাৰ আহিছিল। কলমতে এই চাবি বাবত এওঁ ১৮৲ ষোল টকা পাব। কিন্তু এওঁক মই ১৯৲ উনৈশ টকা দিছিলো। তথাপি কোনো যত্ন আৰু চেষ্টা নাপালো। ৩০ তাৰিখৰ দিনাৰ তেওঁৰ ব্যৱহাৰ পাই আৰু এপন্থকো কহিমাত থাকিবৰ মন নগ'ল। এই বিষয়ে ডিপুটী কমিচনৰ চাহাবক জনোৱা হ'লে অৱশ্যে প্ৰতিকাৰ পালোঁহেতেন। কিন্তু এই সামান্য কথা এটা তেখেতৰ কাণ ছোৱাবৰ মন নগ'ল। স্থান ত্যাগ কবাই শ্ৰেয়ঃ দেখিলো। ভাগ্যক্ৰমে ডিমাপুৰত সিজন ডাক্তৰ পালো তেওঁ সেনগুপ্ত চাহাবৰ একেবাৰেই বিপৰীত। এওঁ এজন বঙ্গালী, নাম শ্ৰীযুত শৈলেন্দ্ৰ নাথ আচাৰ্য্য। মোৰ লবাটৰ নিমিত্তে এওঁ যি যত্ন ললে আৰু চেষ্টা কৰিলে সেই উপকাৰ মই কেতিয়াও পাহৰিব নোৱাৰো। গপ নাইকিয়া এনে এজন মানুহ অতি বিৰল। কহিমাত যি কেজন বঙ্গালী ভদ্ৰলোক পাইছিলো, তেওঁবিলাক আটাই কেজনকে ভাল পালো। বিশেষকৈ ডিপুটী কমিচনাৰ চাহাবৰ অফিচৰ চুপাৰিণ্টেনডেণ্ট্ বাবু ইন্দ্ৰনাথ দত্তৰ নাম উল্লেখ নকৰাকৈ নোৱাৰিলো। কহিমাত থাকোতে অনেক বিষয়তে মই তেওঁৰপৰা সহায় পাইছিলো।

চাওঁতে চাওঁতে ৯ অক্টোবৰ আহি পৰিল। আগামী দুজনৰ মুখত পানী নাই। এনেই আৱকাৰী মোকৰ্দ্দমা, দুখীয়া ৰায়তৰ বহুত ধন ভাঙি চৰ্কাৰী উকীল দি গোটেই আৱকাৰী বিভাগ লাগিছে। তাৰ উপৰিও এজেণ্টি মুলুকৰ বিচাৰ। কিন্তু যেতিয়া মাজিষ্ট্ৰেট চাহাবেও আগামী দুজন সম্পূৰ্ণ নিৰ্দ্দোষী, আৰু এই মোকৰ্দ্দমা সিছা আৰু আশ্বেজমূলক বুলি হুকুম শুনাই দি আচামীক খালাচ দিলে, তেতিয়া মাজিষ্ট্ৰেট চাহাবজনৰ ন্যায়নিষ্ঠা আৰু সৎসাহস দেখি সকলোবে তথা লাগিল। বিপক্ষৰ উকীলেও এনে সাহসৰ শগাগ নলৈ নোৱাৰে। বাস্তৱিকতে কবলৈ গ'লে মোৰ ২৩ বছৰ ওকালতিৰ ভিতৰত আৱকাৰী মোকৰ্দ্দমাক false and malicious বুলি প্ৰকাশ কবিবলৈ সাহস কবাৰ এয়ে প্ৰথম দৃষ্টান্ত। আমাৰ ভৈয়ামৰ হাকিমসকলে শ্ৰীযুত ব্লা চাহাবৰ এনে সাহ অনুকৰণ কবিব নোৱাৰে নে?

আচামীৰ পক্ষে মই এই মোকৰ্দ্দমা চলাওঁতে মোৰ মৰমৰ বন্ধু শ্ৰীযুত গোলোক চন্দ্ৰ বৰুৱা, শ্ৰীযুত দেবেশ্বৰ শৰ্ম্মা আৰু শ্ৰীযুত নগেন্দ্ৰ নাথ বৰুৱাৰ পৰা মথে সহায় পালো। তেওঁবিলাকৰ পৰা সহায় নোপোৱাহেঁতেন কেতিয়াও মই কৃতকাৰ্য্য হব নোৱাৰিলোহেঁতেন। ডিমাপুৰত

লৰাটিৰ কেইদিনমান চিকিৎসা কৰাই অৱশেষত ১৩ অক্টোবৰ তাৰিখে গোলাঘাটলৈ সকলোকে লৈ ঘূৰি আহিলো।

ইমানতে মোৰ ভ্ৰমণ কাহিনীৰ অন্ত পৰিল। এতিয়া নগা হিলৰ অলপ চমু বিবৰণ লেখো। নগা হিল গোটেইখন দুই ভাগে বিভক্ত। এভাগ সম্পূৰ্ণ স্বাধীন হৈ এতিয়াও আছে। ইয়ালৈ আমাৰ কোনো মানুহ যাব নোৱাৰে। অপৰ ভাগ ইংৰাজী ১৮৮০ চনৰ পৰা সম্পূৰ্ণৰূপে ইংৰাজৰ শাসনৰ তললৈ আহিছে। এতিয়া আমি এই ভাগৰ হে কথা আলোচনা কৰিম। স্বাধীন অংশৰ পূব সীমা স্বাধীন নগা জাতি; পশ্চিম সীমা শিৱসাগৰ, নগাওঁ আৰু কাছাড় জিলা; উত্তৰ সীমা শিৱসাগৰ জিলা আৰু দক্ষিণ সীমা মণিপুৰ ৰাজ্য। দীঘলে প্ৰায় ১৩৮ মাইল, বহলে প্ৰায় ২৫ মাইল। পৰিমাণ প্ৰায় ৩৬৪৭ বৰ্গ মাইল। ইয়াত ৬০০০ ফুটতকৈ ওখ কেবাটাও পৰ্ব্বত আছে। আটাইতকৈ ওখ হৈছে জাপ্‌ভো—৯৮৯০ ফুট ওখ। কহিমাৰ পৰা ১২ মাইল দূৰত এই পৰ্ব্বতটো আছে। অসমৰ ভিতৰতে ইয়াতকৈ আৰু ওখ পৰ্ব্বত নাই। নগা পৰ্ব্বতৰ পৰা দয়াং, দিছে, জাঁজি, দিখৌ আৰু ধন্‌শিৰী আদি লৈ ওলাইছে। মাও থানাৰ ওচৰৰ পৰ্ব্বতেই দয়াং নৈৰ গুৰি।

নগা জাতিৰ ভিতৰত ঘাইকৈ সাতোটা খেল। আঙ্গামী, লঠা, আও, ৰেংমা, কাচানগা, চেমা আৰু কুকি। প্ৰত্যেক খেলেই বেলেগ বেলেগ একোদোখৰ ঠাই দখল কৰি আছে। সিহঁতৰ ভাষাও বেলেগ বেলেগ। পূৰ্ব্বে ইটো খেল আৰু সিটো খেলৰ ভিতৰত ঘোৰ শত্ৰুতা আছিল। কহিমা, খনমা আদি ঠাইত আঙ্গামী খেলৰ নগাই বাস কৰে। ডাক্তৰ হটন্ চাহাবে এই আঙ্গামি নগাৰ বিষয়ে এখন সুন্দৰ কিতাপ লিখিছে। নগা হিল জিলাৰ বৰ্ত্তমান ডিপুটী কমিচনাৰ মিল্‌চ্ চাহাবেও চেমা নগাৰ বিষয়ে এখন ভাল কিতাপ লিখিছে। এওঁ অনেক দিন মোকক্‌চাং মহকুমাত মহকুমাধিপতি হৈ আছিল। মোকক্‌চাঙলৈ কহিমাৰ পৰা ৯১ মাইল। নগা হিল জিলাৰ এইখনেই হে মাথোন মহকুমা। উখালৈ কহিমাৰ পৰা ৫২ মাইল। এসময়ত উখা এখন আৱশ্যকীয় ঠাই আছিল। এই বিলাকলৈ খোজ কাঢ়ি বা ঘোঁৰাৰে যাব লাগে। গাড়ী যাব পৰা কোনো বাট নাই। মোকক্‌চাঙলৈ নকচাৰি ৰেল ষ্টেচনত নামি যোৱাই সুবিধা।

ইংৰাজী ১৮২৬ চনত অসম দেশ ইংৰাজৰ হাতলৈ যায়। দাঁতিকাষৰীয়া নগাবিলাকে উপদ্ৰৱ কৰাত পোনতে ১৮৩৯ চনত কিছু চিপাহী লৈ এজন চাহাব নগা হিল সোমায়। তাৰে পৰা ১৮৭৩ চনলৈকে অনেক বাৰ সৰু সুৰা যুঁজ হৈ আছিল। পাছে ১৮৭৪ চনত নগা হিল জিলাক ইংৰাজৰ ৰাজ্যত ভুক্ত কৰিবৰ নিমিত্তে বন্দবস্ত কৰা হয়। তাৰ অলপ পাছতে কহিমাত সদৰঠাই পাতে। ১৮৭৯ চনৰ অক্টোবৰ মাহত নগাই কহিমা দুৰ্গ আক্ৰমণ কৰে। ইয়াৰ পৰা ১২ মাইল দূৰত খনমা গাওঁতো সেই সময়তে যুঁজ হয়। মণিপুৰৰ পৰা চিপাহী আহি কহিমা ৰক্ষা কৰে। টীকেন্দ্ৰজিত সেনাপতিয়ে চিপাহী লৈ আহিছিল। কালৰ এনে বিচাৰ যে সেই টীকেন্দ্ৰজিতেই পাছত ইংৰাজৰ হাতত প্ৰাণ দিলে। সেই সময়ত কহিমাত ৺ৰায়বাহাদুৰ যাদব চন্দ্ৰ বৰুৱা আছিল। নগাই কহিমা আক্ৰমণ কৰিলত যি কেজন বিদেশী আছিল সেই বিদেশী কেইজনে সৈতে ইংৰাজৰ পক্ষৰ সকলো কহিমা দুৰ্গৰ ভিতৰত সোমাই দুৰ্গৰ দুয়োখন দুৱাৰ বন্ধ কৰি দিলে। সকলোৱে ভিতৰত পাঁচ দিন থাকিব লগাত পৰিছিল। দুৰ্গৰ বাহিৰে চাৰিওফালে যাঠি-জোং লোৱা অসংখ্য নগা। বৰুৱা ডাঙ্গৰীয়াও দুৰ্গৰ ভিতৰতে আছিল, কিন্তু তেখেতৰ ওপৰত নগা জাতিৰ প্ৰগাঢ় ভক্তি আৰু অটল বিশ্বাস আছিল। তেখেতে খাবৰ নিমিত্তে দুৰ্গৰ ওপৰেদি নগাই চাউলৰ টোপোলা দলিয়াই দিছিল বুলি মানুহে কয়। নগাই তেখেতক সিহঁতৰ ৰজা বুলি মান কৰিছিল আৰু নগাৰ ভিতৰত তেখেতৰ নাম "যাদোছা" আছিল। এতিয়াও নগাই এই নামেৰেহে তেখেতক জানে। "যাদব ছাহাব" এই নামটো চমুৱাই "যাদোছা" হৈছিল। সেই সময়ত হেনো মণিপুৰত গম্ভীৰচন্দ্ৰ সিংহ নামেৰে এজন ৰজা আছিল। এওঁৰ লগত বৰুৱা ডাঙ্গৰীয়াৰ চিনাকি থকাত বাঁহৰ লাখুটীৰ ভিতৰত চিঠি

লিখি বিশ্বাসী দুটা নগাক মণিপুৰৰ ৰজাৰ গুৰিলৈ পঠাই দিলে। সেনাপতিয়ে মণিপুৰীয়া চিপাহী লৈ আহি কহিমা ৰক্ষা কৰিলে। মণিপুৰীয়া চিপাহী নহালৈকে দুৰ্গৰ ভিতৰত থকা মানুহবিলাকৰ নথৈ দুখ হৈছিল। ভিতৰত খাবলৈ পানী নাইকিয়া হল। মানুহৰ হাহাকাৰ লাগিল। এনেতে তিনদিনৰ দিনা ৰাতি ধাৰাসাৰে বৰষুণ আনিলে। যাৰ যি আছিল, তাকে পাতি পানী ধৰিলে। এই পানী খাইহে মানুহৰ প্ৰাণ ৰক্ষা পৰিল। বুধি-ভাৰনা দি সকলো পিনে ইংৰাজক সহায় কৰা বাবে বৰুৱা ডাঙ্গৰীয়াক "ৰায় বাহাদুৰ" উপাধি দি বোকাজানৰ ওচৰত বহুত নিষ্কৰ মাটি দিলে। অসমৰ ভিতৰত এখেতেই বোধকৰো প্ৰথম ৰায় বাহাদুৰ। ১৮৭৯ চনৰ ঘটনাৰ কিছুদিন পূৰ্ব্বেই সামান্য এটা কামত এখেত কহিমাত ভৰ্ত্তি হৈছিল। নগা জাতিয়ে ইংৰাজ গৱৰ্ণমেণ্টক বহুত দিন কষ্ট দিলে। নগাৰ যুজত কেবাজন চাহাবে আৰু অনেক চিপাহীয়ে প্ৰাণ দিলে। অৱশেষত ১৮৮০ চনৰ মাৰ্চত নগাজাতি সৈমান হৈ ইংৰাজক বৰিলে। কহিমাৰ ডিপুটী কমিচনাৰ চাহাবৰ অফিচৰ প্ৰথম চুপাৰিণ্টেন্‌ডেণ্ট ৰায় বাহাদুৰ ডাঙ্গৰীয়াই আছিল। এখেত যেতিয়া চবডিপুটি কলেক্টৰ হৈ উখালৈ গল, তেতিয়া ৺ডিম্বেশ্বৰ দাস নামেৰে এজন অসমীয়া মানুহে তেখেতৰ ঠাইত কাম কৰিছিল। ইংৰাজী ১৮৮৭ চনত স্বৰ্গীয় কেশৱচন্দ্ৰ বৰুৱা ডাঙ্গৰীয়া খাজাঞ্চি কামত কহিমালৈ যায়। অলপ দিনৰ পাছতে এখেত চুপাৰিণ্টেন্‌ডেণ্ট হয়। অনেক কাল এই কাম কৰি এখেতে অৱসৰ লোৱাত এখেতৰ ঠাইত ৰায় ছাহাব শ্ৰীযুত সীতানাথ বৰবৰা ভৰ্ত্তি হয়। দুবছৰৰ পূৰ্ব্বে বৰবৰা ডাঙ্গৰীয়াই ভৈয়ামলৈ বদলী হৈ যোৱাত এই কামত বাবু ইন্দ্ৰনাথ দত্ত নিযুক্ত হয়। এই কামত এৱেঁই প্ৰথম বঙ্গালী। চুপাৰিণ্টেন্‌ডেণ্ট কামটো অসমীয়াৰ হাতৰ পৰা যাবৰ পৰাই কহিমাত অসমীয়াৰ প্ৰতিপত্তি লাহে লাহে কমিবলৈ ধৰিছে বুলি কেবাজনেও মোক কৈছিল।

নগাহিল জিলাৰ বিচাৰ-প্ৰণালী হাইকোৰ্টৰ তলত নহয়। গেজেটিয়াৰত দেখিলো যে ইউৰোপিয়ান বিলাকৰ ফৌজদাৰী বিচাৰ হলে হাইকোৰ্টৰ অধীন। ডিপুটী কমিচনাৰ চাহাবৰ ফাঁচী দিবৰ ক্ষমতা আছে অৱশ্যে গৱৰ্ণমেণ্টে মঞ্জুৰ কৰিব লাগে। যোৱা ৮ আগষ্টত ২টা নগাৰ আৰু ৩ চেপ্টেম্বৰত এটা নগাৰ কহিমা জেলত ফাঁচী হৈছিল। বিদেশী মানুহ বিলাকৰ মোকৰ্দ্দমাত গুচৰীয়া বা পদকীয়াই ইচ্ছা কৰিলে উকীল নিবলৈ দিয়ে। নগাহিল্ জিলাৰ ভিতৰত অনেক বিদেশী মানুহ আছে। ইউৰোপিয়ন প্ৰজাৰ দৰে এওঁবিলাককো হাইকোৰ্টৰ অধীন কৰি দিলে কিবা বেয়া হ'বনে?

নগাজাতিৰ লগত অনেক দিনৰেপৰা অসমীয়াৰ সম্পৰ্ক। ডাক্তৰ হটন চাহাবে কয় এজনা আহোম ৰজাই ৱাট্‌লং নামে এগৰাকী টান্‌হাইৰ নগা ৰজাৰ ছোৱালী বিয়া কৰাই টান্‌হাইৰ ওচৰত পুখুৰী এটা, শিলৰ দলং এখন আৰু পকীবাট এটা কৰি দিছিল—"Villages round Tanhai and Pungkhang (Borgaon) above Charaideo are the places where the Shans are believed to have emerged into the plains of Assam from Burma and later on, an Ahom king of Sibsagar took refuge in Tanhai when dethroned, and married Watlong, the daughter of the Chief. Later he was restored to his kingdom and went down to Charaideo with his Naga bride. As part of her bride price he built a tank, a paved road and a stone bridge, the remains of which may still be seen at Tanhai, where the footprints of the king and of his horse are also shown."—Vide Dr. Hutton's "The Angami Nagas" page 384. এই কথাত ঐতিহাসিক সত্য কিমান আছে মই কব নোৱাৰিলো। বুৰঞ্জীলিখাৰু সকলে এই কথাৰ সচা মিছা নিৰ্ণয় কৰিব।

আহোমৰজাই নগাক দিয়া কেবাখনো খাট গোলাঘাট মহকুমাৰ ঘিলাধাৰী মৌজাত আছে। মহাভাৰতৰ দিনত নগাৰজাৰ ছোৱালী অৰ্জ্জুনে বিয়া কৰাইছিল। এই

গৰাকী থনমাৰ বজাৰ জীয়াৰী বুলি এতিয়াও প্ৰবাদ আছে।

ইংৰাজে নগা হিল জিলা দখল কৰাৰ পাছৰ পৰা আমাৰ অনেক অসমীয়া মানুহে কাৰ্য্যৰ উপলক্ষে কহিমালৈ গৈছিল। ৺দেৱেশ্বৰ গোস্বামী, ৺কমলেশ্বৰ গোস্বামী, ৰায়ছাহাব শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা, শ্ৰীযুত হেমধৰ পাত্ৰবৰা আদি অনেকেই কহিমাত আছিল। কহিমা মাইনৰ স্কুলৰ হেডমাষ্টৰজনেই এতিয়া কহিমাত পুৰণি মানুহ। এওঁৰ নাম শ্ৰীযুত সতৰাম দাস—ঘৰ নগাওঁ জিলাৰ বহাত। এওঁ ১৮৯৭ চনৰ জুন মাহৰ পৰা কহিমাত আছে। এওঁ মোক কৈছিল যে পোনতে আহোতে বহাৰপৰা কহিমালৈ ১৮ দিন লাগিছিল। বাট অতি দুৰ্গম আছিল আৰু বাটত অশেষ কষ্ট ভোগ কৰিব লগাত পৰিছিল। অহা বছৰত এওঁ কামৰ পৰা অৱসৰ লব। এওঁৰ পাছত বৰ্ত্তমান নগা দ্বিতীয় শিক্ষক জনেই হেনো হেডমাষ্টৰ হব। বৰ্ত্তমানে স্কুলটোত তিনিজন অসমীয়া শিক্ষক আছে। তিনিওজন ভাল মানুহ। এজন শ্ৰীযুত ৰমাকান্ত গোস্বামী, ঘৰ পলাশবাড়ীত। কহিমাত থাকোতে এওঁ মোক অনেক প্ৰকাৰে সহায় কৰিছিল। বৰ্ত্তমান হেডমাষ্টৰ ডাঙ্গৰীয়াৰ যত্ন আৰু চেষ্টাত এতিয়াও স্কুলটোত অসমীয়া ভাষা চলি আছে। কিন্তু এওঁৰ পাছত যে অসমীয়া ভাষা আৰু থাকিব এনে আশা নাই। এওঁৰ এই সাধু চেষ্টাৰ নিমিত্তে এওঁক শলাগ নলৈ নোৱাৰি। নগাহিলত এতিয়াও শিক্ষাৰ বেছি প্ৰচলন হোৱা নাই। আজিলৈকে মাথোন দুজন কি তিনজন নগাই বি-এ পাছ কৰিছে। মিচনাৰী স্কুল এখনো আছে। দেখা যায় নগাবিলাক বৰ ৰক্ষণশীল। সিহঁতে পূৰ্ব্বৰ পৰা চলি অহা নীতি নিয়ম এৰিবলৈ টান পায়। চৰ্কাৰী কামত যিমান পাৰে নগাক সুমাই লোৱাটো গভৰ্ণমেণ্টৰ বৰ্ত্তমান নীতি যেন দেখা যায়। এই নীতিক কঠোৰৰূপে চলালে আৰু কি অসমীয়া কি বঙ্গালী কাৰো নগাহিলত বেছি দিন চাউল নাথাকিব।

হেডমাষ্টৰ ডাঙ্গৰীয়াৰ পৰা জানিব পাৰিলো যে নগাহিলৰ হাৱাপানীৰ ক্ৰমাং অনেক পৰিবৰ্ত্তন হ'ব লাগিছে। তেওঁ পোনতে আহোতে ইয়াত যি জাৰ আছিল, এতিয়া সেই জাৰ নাই। ক্ৰমে গৰম বেছি হৈ আহিছে।

আমাৰ সীমাতে থকা নগাজাতি আমাৰ পৰা আজি ইমান আতৰত আছে যে এই কথা ভাবিবলৈ গলেও মনত দুখ লাগে। পৰবৰ্ত্তী গোসাঁই মহন্ত সকলে যদি মহাপুৰুষৰ প্ৰবৰ্ত্তিত নীতি অবলম্বন কৰিলে হেঁতেন, তেন্তে হৰিনামৰ পৱিত্ৰ আৰু বিমল প্ৰভাবত নগাকো আমাৰ বুলি আজি সাৱটি ধৰিলোঁ হেঁতেন। নগাহিলৰ ভৈয়াম খণ্ডত অনেক কচাৰী মানুহ আছে। তেওঁ-বিলাকৰ অনেকেই বৰ্ত্তমানে হিন্দুধৰ্ম্ম আশ্ৰয় কৰি লভ্য লৈছে। কিন্তু দুখৰ বিষয় এইবিলাক সকলো কাজ শিলচৰৰ বঙ্গালী ব্ৰাহ্মণৰ যাৰা হৈছে। মই এজন অন্তৰঙ্গ পোৱা মৌজাদাৰৰ লগত কথা পাতি বুজিব পাৰিলো যে অসমীয়াৰ আশ্ৰয় পোৱাহেঁতেন এওঁবিলাকে বঙ্গালীৰ আশ্ৰয় ললহে হেঁতেন। অসমীয়া গোসাঁই মহন্তই নো কচাৰী গাৱঁত চুৰাৰ মাজত কেনেকৈ সোমাব? সোমালেই দেখান কানিকাপোৰ তিয়াই গা ধুব লাগিব আৰু কচাৰী গাৱঁত নো প্ৰভুৰে কেনেকৈ ভোজন কৰিব?

বিশ্ব প্ৰৱাহ

যোগী নৰসিংহ স্বামী

যোগবলৰ প্ৰভাৱেৰে সাধকসকলে মানুহৰ সাধ্যাতীত অনেক আচৰিত কাৰ্য্যও সম্পাদন কৰিব পৰা কথাটো পাশ্চাত্য জগতৰ বহুতে বিশ্বাস নকৰিলেও ভাৰতবাসীৰ পক্ষে একো নতুন নহয়। আজিকালি জড়বাদমূলক বিজ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত শিক্ষাৰ ফলত যোগাভ্যাসৰ আদৰ কমি গলেও সাধু-সন্ন্যাসীসকলে হাবি-জঙ্গলে পৰ্ব্বতে-কন্দৰে সেই শিক্ষা পূৰ্ণৰূপে অনুশীলন কৰিবলৈ এৰা নাই। হিমালয়ৰ উচ্চতম শৃঙ্গ আবিষ্কাৰ কৰিবলৈ



৺নৰসিংহ স্বামী

গাৱঁতকৈ সকলে এনে অসাধ্যসাধক বহুতকো লগ পাই আছিছে। ভাৰতৰ দশোদিশে সিচৰতি হৈ থকা নানা তীৰ্থস্থানতো এনে সন্ন্যাসী দুই এজন পোৱা যায়।

নৰসিংহ স্বামী মাদ্ৰাজ প্ৰদেশৰ এজনা যোগী। তেওঁ আজীৱন সাধনাৰ বলত যি অসাধ্য ক্ৰিয়া-কলাপ দেখুৱাইছে তাত বৰ্ত্তমান যুগৰ বিজ্ঞান-বীৰসকল চমকিত হৈছে। আজি তিনিমাহমান পূৰ্ব্বে তেওঁ চাৰ চন্দ্ৰশেখৰ বেঙ্কট ৰমন, ডাঃ পঞ্চানন নিয়োগী প্ৰমুখ্যে বিখ্যাত বৈজ্ঞানিকসকলৰ আগত প্ৰেছিডেন্সী কলেজত যি অদ্ভুত ক্ৰিয়া কৰি দেখুৱাইছিল, তাক দেখি অধ্যাপক ৰমণৰ দৰে পৃথিবী-বিখ্যাত বিজ্ঞানবিদে পৰ্য্যন্ত কবলৈ বাধ্য হৈছিল যে নৰসিংহ স্বামীৰ এই ক্ৰিয়া বিজ্ঞানৰ সহায়েৰে কোনো প্ৰকাৰে বিশ্লেষণ কৰি উবাই দিব নোৱাৰি আৰু তেওঁৰ এই যৌগিক ক্ৰিয়াই বিজ্ঞানৰ অসাৰতা প্ৰতিপাদন কৰিবলৈ বিচাৰিছে। স্বামীজীয়ে দৰ্শকসকলৰ আগত নিঃসঙ্কোচে কেইটোপামান ঘনীভূত চালফিউৰিক এছিড, নাইট্ৰিক এছিড, কেইডোখৰমান সক সক কাঁচ আৰু কেইটমান গন্ধাল গিলি পেলায়। এইবোৰ এনে ভীষণ পদাৰ্থ যে ইয়াৰ যেই সেই এটায়ো মানুহৰ জীৱন সঙ্কটাপন্ন কৰিব পাৰে। কিন্তু স্বামীজীয়ে যৌগিক ক্ৰিয়াৰে এনেভাৱে নিজৰ শৰীৰ ৰক্ষা কৰিলে যে তাৰপৰা তেওঁৰ সামান্য অনিষ্ট নহ'ল। ইয়াৰ পিছত তেওঁ পটাছিয়াম চায়ানাইড বোলা অতি ভীষণ বিষ এবিধৰ এক গ্ৰেইন খাবলৈ আগুৱায়, আৰু তাত যে তেওঁৰ কোনো অনিষ্ট নহব, তাৰ প্ৰমাণ স্বৰূপ আগৰ চাটফিকেট দেখুৱায়। কিন্তু ডাঃ নিয়োগীয়ে এই বিষ দিবলৈ বাজী নোহোৱাত স্বামীজী ক্ষান্ত হয়। শেষত মেডিকেল কলেজত এক্স-ৰেৰ সহায়েৰে পৰীক্ষা কৰি তেওঁৰ তলপেটত গন্ধাল দেখিবলৈ পোৱা যায়।

স্বামীজীয়ে তেওঁৰ এই যৌগিক কৌশল য়ুৰোপ আমেৰিকা আদি দেশত দেখুৱাবলৈ যাবৰ উদ্দেশ্যে ভাৰতৰ নানা ঠাইত আৰ্থিক সাহায্য বিচাৰি এই কৌশল দেখুৱাই ফুৰে আৰু সকলো ঠাইতে তেওঁ নিৰ্ব্বিঘ্নে এই ক্ৰিয়া সম্পাদন কৰে। কিন্তু দুৰ্ভাগ্যক্ৰমে সিদিনা তেওঁ বেঙ্গুনত চালফিউৰিক এছিড, নাইট্ৰিক এছিড, পটা-

ছিয়াম চায়ানাইড, ষ্ট্ৰীকনিন, কাঁচ আৰু গজাল একেলগে খাই যৌগিক ক্ৰিয়া কৰাত অলপ পলম হোৱাত হঠাৎ অজ্ঞান হৈ পৰে আৰু তাতেই তেওঁৰ মৃত্যু ঘটে। ডাক্তৰে মৃতদেহ পৰীক্ষা কৰি পায় যে ষ্ট্ৰিকনিনৰ বিষত তেওঁৰ প্ৰাণান্ত হয়। সম্প্ৰতি আৰু এজনা এনে যোগী ওলাইছে।

মকৰাৰ জাল



চিকাগোৰ মানুহে বোৱা মকৰাজাল

চিকাগোৰ গ্ৰীষ্মাবাস এটাৰ সমুখত এই ৬০ ফুট দীঘল, ৪০ফুট বহল জালখন এজন মানুহে বই থৈছে। এই জাল ইমান টান সূতাৰে কৰা হৈছে যে এজন মানুহে অনায়াসে তাত উঠি যাব পাৰে।

সিন্ধুনৈৰ মথাউৰি



সিন্ধুনৈৰ মথাউৰি—লয়েড বেৰেজ

খেতি পথাৰৰ সুচলৰ কাৰণে সিন্ধু প্ৰদেশত নলাৰে পানী আনি দিব লাগে সিন্ধুনৈৰপৰা। সেই কাৰণে সিন্ধুনৈত মথাউৰি এটা বন্ধাৰ কথা পোন-প্ৰথমে ১৮৪৬ খৃঃত লেফ্‌টেনেণ্ট কৰ্ণেল ৱাণ্টাৰ স্কটৰ মগজুত খেলায়। তেওঁ সেই সময়ত সিন্ধু প্ৰদেশৰ কেনেল আৰু ফ'ৰেষ্ট ডিপাৰ্টমেণ্টৰ ছুপাৰিণ্টেণ্ডেণ্ট আছিল। কিন্তু সেই কল্পনা সিমানতে থাকিল।

প্ৰায় ষাঠি বছৰ আগেয়ে সিন্ধু প্ৰদেশত নলাৰে আনি পানী দিবলগীয়া কথাটো আকৌ উঠে আৰু সিন্ধুনৈত মথাউৰি বন্ধা কথাটো তোলা হয়। কিন্তু মতভেদত সেই প্ৰস্তাৱ প্ৰস্তাৱতে থাকিল। লাহে লাহে উচ্চপদস্থ ছৰ্কাৰী চাকৰিয়াল সকলৰ যত্ন আৰু চেষ্টাত বিশেষকৈ বোম্বাই প্ৰদেশৰ গৱৰ্ণৰ ছাৰ জৰ্জ লয়েডে টানি ধৰাত, ছৰ্কাৰে প্ৰস্তাৱটো মঞ্জুৰ কৰে।

ছাৰ জৰ্জ লয়েডৰ নাম অনুসৰি সিন্ধুনৈৰ মথাউৰিটোৰ নাম 'লয়েড বেৰেজ' দিয়া হয়। যোৱা জানুৱাৰী মাহত মথাউৰিটো গৱৰ্ণৰ-জেনেৰেলে মুকলি কৰিছে। মথাউৰিটোৱে সাতডাল নলাৰে সিন্ধু আৰু খয়ৰাপুৰ ৰাজ্যত ৫৫ লাখ একৰ মাটিত পানী যোগাব।

দি ৰাইট্ অনাৰেবোল জেম্‌চ্ হেনৰী টমাছ

অন্তৰৰ মাজত লুকাই থকা প্ৰতিভাক নিবিৰ সাধনাৰে জগাই তুলি অতি সৰু মানুহো কেনেকৈ মহৎ হয় তাৰ পটন্তৰ অলেখ আছে। এনে এজনা পুৰুষৰ চমু জীৱনী ইয়াত দিয়া হল—তেওঁ হৈছে জেম্‌চ্ হেনৰী টমাছ। ১৮৭৩ চনৰ ৩ অক্টোবৰ তাৰিখে তেওঁৰ নিউপোৰ্টত জন্ম হয়। টমাছৰ জন্মচন সম্বন্ধে মতভেদ আছে। কেৱে কেৱে ১৮৭৪ আৰু ১৮৭৫ চনত বুলিও কয়। তেওঁ বনুৱাৰ ল'ৰা। ন-বছৰীয়াৰ পৰা তেওঁ বাতৰি-কাকত বেচি জীৱিকা অৰ্জ্জনত লাগে। তাৰ পিছত তেওঁ সপ্তাহে ৭ বব্ (bob) দৰ্ম্মহাত গ্ৰেট ৱেষ্টাৰ্ণ ৰেলৱেত কাম কৰে। কেইবছৰমানৰ পিছত তেওঁ দিনে ৩ বব্‌কৈ পোৱা হ'ল কিন্তু খাটিছিল নিতৌ ১২ ঘণ্টাকৈ। তেওঁ ৰেলৱেত পোন-প্ৰথমে ইঞ্জিন ধোৱা-

মোচাৰ কাম কৰিছিল, তাৰ পিছত ইঞ্জিনত কয়লা দিয়া কাম ললে, তাৰ পিছত ড্ৰাইভাৰৰ বাব পালে। সৰুৰেপৰা টমাছ কিন্তু বাগ্মী আছিল। মানুহে তেওঁৰ বক্তৃতা মুগ্ধ হৈ শুনে। সেই সময়তে তেওঁ ইংৰাজ বনুৱা জাতিৰ বুজ-বতৰা খুব ভালকৈ লৈছিল।



হেন্‌ৰী টমাছ

১৮৭১ চনত ৰেলৱে চাকৰিয়ালসকলৰ এটা সানমিহলি সংঘ থাপিত হৈছিল। জয়জয়তে এই সংঘটো এটা অতি দুৰ্ব্বল শক্তি মাথোন আছিল। আৰু এনেকি কুৰি বছৰ পিছলৈ অতি কমসংখ্যক ৰেলকৰ্ম্মচাৰী স্বীকৃত ট্ৰেড য়ুনিয়ন ছোছাইটীৰ সভ্যভুক্ত হৈছিল। কিন্তু ১৯০৬ চনত ৰেলৱে য়ুনিয়নবোৰ শকত হৈ উঠে আৰু দিনৌ ৮ ঘণ্টাকৈ কাম কৰিবলৈ হে দাবী জনায়। টমাছে এই আন্দোলন ডাঠি সমৰ্থন কৰিছিল। তেওঁৰ নিৰ্ভীকতা দেখি মানুহে আচৰিত মানিছিল। কাৰণ ঘৰত এবাহ লৰাছোৱালী আৰু আন পৰিয়াল লৈ এনে নিৰ্ভীকভাৱে আন্দোলনত নেতৃত্ব কৰাটো সকলোৰে পক্ষে সম্ভৱ নহয়। ইংলণ্ডই এই দাবীলৈ কাণ কৰা নাছিল; কিন্তু ১৯১১ চনত য়ুনিয়নৰ শকতি বুজিব পাৰিলে। সেই বছৰ য়ুনিয়নবোৰে ধৰ্ম্মঘট কৰি বাণিজ্যৰ গতি ৰোধ কৰি দিয়ে। নতুন ৰেলকৰ্ম্মচাৰীৰ য়ুনিয়নৰ টমাছ সহকাৰী সম্পাদক সকলৰ এজন হ'ল। নানান ঠাইত বক্তৃতা দি তেওঁ ঘূৰি ফুৰিব ধৰিলে। বাগ্মীতা, ফুচুলনি আৰু খুহুতীয়া কথাৰে তেওঁ মানুহক তেওঁৰ মতলৈ আনিছিল। প্ৰধান সম্পাদকে অবসৰ ললত পাৰ্লিয়ামেণ্টৰ ডাৰ্বিৰপৰা নিৰ্ব্বাচিত ডেকা বনুৱা সদস্য জে, এইচ্, টমাছে প্ৰধান সম্পাদকৰ বাব ললে। মিঃ টমাছৰ দৰে কৰ্ম্মব্যস্ত মানুহ পৃথিবীত বৰ্ত্তমান কেও নাই। তেওঁৰ প্ৰায়বোৰ অনুষ্ঠানৰ লগতে সংযোগ আছে। ছুইণ্ডনৰ তেওঁ মিউনিচিপালিটীৰ মেম্বৰ, টাউন কাউন্সিলৰ আৰু কেবাটা কমিটিৰো সভাপতি। ১৯১৭ চনত তেওঁ প্ৰিভি কাউন্সিলৰ হয়। তেওঁ কেম্ব্ৰিজৰ অনাৰেৰী এল-এল-ডি আৰু অক্সফোৰ্ডৰ ডি-ছি-এল। তেওঁ বৰ ওখ খাপৰ ৰাজনীতিজ্ঞ পুৰুষ। উপনিবেশ সমূহৰ ছেক্ৰেটৰী-ফৰ-ষ্টেট হোৱাই এই কথাৰ সাখী দিয়ে।

কুঁৱৰী টেক আৰু টাকা

কুঁৱৰী টেক আৰু তেওঁৰ ভনীয়েক কুঁৱৰী টাকা জাপানৰ ৰাজা আৰু ৰাণীৰ দুগৰাকী জীয়াৰী। তেওঁলোকে টকিওৰ 'চিৰিয়াখানা' চাই ফুৰিব ধৰিছে।



জাপান-ৰাজকুঁৱৰী টেক আৰু টাকা

ছায়াচিত্ৰত ব্ৰহ্মবাদী

এই ছবিত দেখা আটাইবিলাক ডেকা ডেকেৰী ব্ৰহ্মদেশৰ। এওঁলোক আটাই কেইজন বৃটিশ বৰ্ম্মা ছায়াচিত্ৰ



ক

কোম্পানীৰ কৃতি ভাৰৰীয়া। (ক) চিত্ৰৰ দুজনা থিনবিন্ সে আৰু মং বা টিণ্ট। (খ) চিত্ৰৰ দুজনা



খ

কোনিপু আৰু থিন্ মিণ্ট মিণ্ট। 'গোল্ডন ৰোজ' নামে নাট এখনত এওঁলোক দুজন প্ৰধান ভূমিকাত অৱতীৰ্ণ হয়। (গ) চিত্ৰৰ দুজনাৰ এজনাৰ নাম থিন্ ছান্ কাই



গ

ছায়াচিত্ৰৰ অভিনয়ত যশস্বী বুলি তেওঁৰ খিয়াতি আছে। তেওঁলোক দুয়োজনকে মুষ্টিযুদ্ধ (বক্সিং) ৰ অৱয়াত দেখা গৈছে। স্বাস্থ্য কেনেকৈ ভালে ৰাখিব পাৰি আৰু শাৰীৰিক শক্তি বাঢ়ি হয় সেইবিষয়েও তেওঁলোকৰ লক্ষ্য আছে।

জেকি কুপাৰ



এই ছবছৰীয়া ল'ৰাটিৰ অপূৰ্ব ছায়াচিত্ৰ নৈপুণ্য দেখি পাশ্চাত্য জগত মুগ্ধ হৈছে। জেকি কুপাৰৰ দৰে কুপাৰেও এদিন অমৰ যশস্বী আৰ্জিব পাৰিব বুলি বিশেষজ্ঞসকলে ভবিষ্যদ্বাণী কৰিছে। সপ্তাহত ২০,০০০ পাউণ্ডকৈ দি কুপাৰক এটা বিখ্যাত ছায়াচিত্ৰ কোম্পানীয়ে নিযুক্ত কৰিছে।

জাৰ্ম্মানীৰ নিবনুৱা সমস্যা

জাৰ্ম্মানীৰ নিবনুৱা সমস্যা সমাধান কৰিবলৈ অহোপুৰুষাৰ্থ কৰিব লাগিছে। কৃষি-মন্ত্ৰীসভাই বাৰ্লিনৰ



হ্বাৰনিউকিন কৃষি উপনিবেশৰ এটা দৃশ্য

ওচৰৰ হ্বাৰনিউকিন্ (Werneuchen) বোলা ঠাই এখনত এটা উপনিবেশ পাতিছে। তাত খেতি-পথাৰৰ কাম কৰা হয়। নিবনুৱা খেতিয়কসকলক তালৈ নি



টেগেলৰ সাম্প্ৰদায়িক ভোজনালয়

খেতিৰ কামত লগাই দিয়া হয়। এই উপনিবেশত কেৱল খেতি পথাৰৰ কামত পটু নিবনুৱা খেতিয়কসকলক বাস কৰিবলৈ দিয়া হব। বাৰ্লিনৰ ওচৰৰ টেগেল নামে ঠাইত সাম্প্ৰদায়িক ভোজনালয় আছে। তাত নিবনুৱা



প্ৰস্তাৱিত কৃষি মন্ত্ৰীসভাৰ অৰ্থসাহায্যত নতুন উপনিবেশত বেৰত বং দিব ধৰিছে

সকলেই বন্ধা-বঢ়া কাম কৰে আৰু মাথোন নিবনুৱাসকলকে তেনেই কম খৰচতে খুটুৱা হয়।

উত্তৰ লক্ষীমপুৰত সতী জয়মতী উৎসৱ

যোৱা ৫ চ'ত শুক্ৰবাৰ ১৮ মাৰ্চ্চ তাৰিখে উত্তৰ লক্ষীমপুৰ মহিলা সমিতিৰ যত্নত উত্তৰ লক্ষীমপুৰত অতি সমাৰোহেৰে জয়দেৱীৰ তিথি পালন কৰা হয়। মনোনীত সভাপতি বাবু আশুতোষ দত্ত, বি-এল ডাঙ্গৰীয়াক ২৫০ আটৈশ মহিলা, মুনিহ আৰু সৰু সৰু লৰাছোৱালীয়ে হাতত নিচান লৈ সতীৰ জয় দি শোভাযাত্ৰা কৰি সভামণ্ডপলৈ লৈ আহে। সভাপতি সভামণ্ডপ সোমোৱা মাত্ৰে সাত শংখ ওপৰ মুনিহ মহিলা সকলে উকলি আৰু হাত-চাপৰিৰে অভ্যৰ্থনা জনায়। শ্ৰীমতী মাকণ দেৱী আৰু শ্ৰীমতী অমিয় দেৱীয়ে এটি আবাহণী গীতেৰে সভাৰ

মুব মুকলি কবি দিয়াব লগে লগে মনোনীত সভাপতি ডাঙ্গবীয়াই সভাপতিব আসন গ্রহণ কবে। তেতিয়া শ্রীমতী কমলা, কিবণ, ধনদা, লিলিয়ে সভাপতি মহাশয়ক (শ্রীযুত ভাবতচন্দ্র গোস্বামীয়ে বচি দিয়া—আমি মিলি-জুলি ফুলবে আঁজলি···বুলি এটি নতুন গীতেবে মালা পিন্ধাই দিয়ে। শ্রীমান বীবেন্দ্রনাথ চাংকাকতীয়ে) এটি ববগীত গাই সমস্তুরা সকলক মোহিত কবাব পিছত শ্রীমতী মাকণ দেৱী আৰু শ্রীমতী অমিয়বালা দেৱীয়ে সতী জয়মতীব আইনাম এটি গাই শুনায়। শ্রীমান বীবেন্দ্রনাথ চাংকাকতীয়ে অসমীয়া গীতেবে দর্শকবৃন্দক সন্তোষ দিছিল। ইয়াব পিছত শ্রীযুতা সুবর্ণলতা দেৱী, শ্রীযুত বাণেশ্বৰ দাস আৰু শ্রীযুক্তা যুগলেশ্বৰী দেৱীয়ে সতী জয়মতীব বিষয়ে একোখনি শুৱলা বচনা পাঠ কবি শুনায়। আৰু শ্রীমতী মাকণ আৰু অমিয়বালা দেৱীয়ে নিজে বচা বিয়ানামব সুবৰ জয়মতীব গীত হাৰ্ম্মোনিয়মেবে সৈতে গোৱাব পিছত সমস্তুরা সকলব মাজবপবা শ্রীযুত বিশ্বেশ্বৰ চাংকাকতী, শ্রীযুত দুর্গেশ্বৰ বৰুৱা আৰু মৌঃ গুলজাৰ আলি হাজবিকা আৰু শ্রীযুত বীণাপাণি হাজবিকাই একোটি সাকল্লা বক্তৃতা দিয়ে। শেহত সভাপতি মহোদয়ে এটি শুৱলা আৰু সাকল্লা বক্তৃতাবে বহুত লাগতিয়াল উপদেশ দিয়ে। সাৱশেহত এখনি শলাগ শবাই আগ বঢ়োৱাব পিছত শ্রীমতী মাকণ আৰু অমিয়বালা দেৱীয়ে হাৰমনিয়মব লগত এটি সামবণী গীত গোৱাব পিছত সভা ভঙ্গ হয়। ৭ বজাবপবা শ্রীমতী বিমলা বৰুৱা, শ্রীমতী ধনদা বৰুৱা, শ্রীমতী লিলিমা গগৈ, শ্রীমতী কমলকলি বৰুৱা, শ্রীমতী স্বর্ণলতা দাস, শ্রীমতী কিবণবালা দাস, শ্রীমতী মাকণ দেৱীয়ে (শ্রীযুত কীর্ত্তিনাথ শর্ম্মা ববদলৈ ডাঙ্গবীয়াব প্রকাশিত) বাসত্তী অভিষেকব থিয়েটাব কবি দেখুৱায়।

অভিনয় দেখি সমস্তুরা সকল মুগ্ধ হৈছিল, আৰু উত্তব লক্ষীমপুবত ছোৱালীয়ে এনে অভিনয় আগেয়ে কবিব পবা নাই বুলি সকলোৱে স্বীকাব কবিছে। সভাপতি ডাঙ্গবীয়াই ছোৱালী কেইটীব এনে অভিনয় দেখি মোহিত হৈ বঁটা স্বৰূপে ১০৲ টকা কৈ ছোৱালী কেইটীক দিয়ে। শ্রীযুতা আজলী তবা নেওগে উঃ লক্ষীমপুবত এইটো বব ভাল অভিনয় কবালে। আমি তেখেতক নহে ধন্যবাদ জনাইছো। বাতি ৯ টাব পবা বিবাট পৰ্ব্ব ভাঙনা কবা হয়। উত্তব লক্ষীমপুব মহিলা সমিতিয়ে অতি সমাবোহেবে জয়মতী উৎসৱ পাতিব পবা বাবে উত্তব লক্ষীমপুব মহিলা সমিতিক ধন্যবাদ আৰু প্রশংসা জনাইছো।

পালনাৰেবে পৃথিবী ঘুবা



এ, ব্রাণ্টাব আৰু যে, ব্রাণ্টাব দুয়ো ভাই-ককাই। তেওঁলোকে ২৪ ফুটীয়া পালনাত এখনেবে পৃথিবীখন ঘুবিবলৈ সংকল্প কবিছে। সৌৱা ছবিত তেওঁলোকে পালনাখনৰ বৈ টোবাকুবে বন্দবত থিয়হি আছে। বতব ফবকাল পাচেই তেওঁলোকে তাবপবা অতলান্তিক মহাসাগব পাব হব।

বুহত্তৰ অসম

বুহত্তৰ অসম গঠন কবিবলৈ বংপুবৰ প্রবীণ জন-নায়ক বায় চাহাব শ্রীযুত পঞ্চানন বর্ম্মা এম্-এ, বি-এল ডাঙ্গবীয়াব নেতৃত্বত বঙ্গদেশৰ সেই অঞ্চলত এটি আন্দোলন আৰম্ভ হৈছে, আৰু বংপুব, কোচবেহাব, জলপাইগুৰি আৰু দিনাজপুৰৰ অধিবাসীসকলে এই প্রস্তাৱত বিশেষ আনন্দ প্রকাশ কবিছে।

সংগ্রহ

(বিহু সংখ্যা 'অসমীয়া'ৰপবা)

আমাৰ বিহু

বৰ্ত্তমান যুগত জাতীয় ভাবে মুক্তিকামী ভাবভবাসীব মনবপবা প্রায়েশঃ সঙ্কীর্ণতা বহু পবিমাণে ওচাইছে। আগেয়ে প্রদেশৰ হিতসাধনেই দেশৰ শ্রেষ্ঠ সেৱা বুলি মানি লৈছিল। এতিয়া প্রদেশৰ মঙ্গল-কাম্য ভাবতৰ হিতসাধনৰ লগত অভিন্নভাবে মিলি চলিছে। এৰ ভাবতবাসী কোন প্রদেশৰ মানুহ বাহিবৰ সাহ-পাবৰ পবা অনুমান কবিবলৈ কাম্যপথা চিনি উলিহা টান। শিক্ষিত মানুহ এজনে কাম্যোপৰ কবো বুলিলে তেওঁ'ৰ প্রদেশ নির্ণয় কবা সহজ নহব। কিন্তু চ'ত শেষত বিহুৰ কথা উলিহালে দুখ-চাবেৰে চাকি থকা মলিন মুখলৈ যদি প্রতিপদৰ জোন্ধৰ দৰে অকণ দুখীয়া হাঁহি নোলায় তেন্তে জানিবা নিশ্চয় তেওঁ অসমীয়া নহয়; অসমীয়া বোলালেও তেওঁৰ অন্তৰত অসমীয়া ভাব বা অসম-প্রীতি নাই; তেওঁ আচলতে বহুধা। অসমবে অংশীদাৰ ওলাব পাবে, কিন্তু বিহুৰ ভাগ বিচবা কেৱল অসমীয়া হে।

জাতীয় উৎসবেই জাতীয়তাৰ প্রাণ, জাতীয়তা বক্ষাৰ হেতু। অসমীয়াৰ বিহু গলে অসম আৰু অসম হৈ নাথাকিব। অবাহাৰ আৰু অন্যায়াচাত আজি ভাবত মবাৰ দৰে; অসমৰ অৱস্থা কিন্তু সন্তাতকৈ বেছা। কিন্তু মবা বুলি পেলাই দিলেই নহব; আমৰব সঞ্জীৱনী-পানী ছটিয়াই মৃতকয়া জননীক জীয়াবই লাগিব।

দেৱতাৰ শাপত বিষহী যক্ষই দিবেবে শোকত বিমোৰ হৈ মেযক কৈছিল—"তেনাৰ্দ্ধিহং ত্বয়ি বিধিবশাদ্ দূৰবন্ধুর্গতোহং।

যাচ্ঞামোঘা বৰমধিগুণে নাধমে লব্ধকামা" ঃ

আৰিও আজি আমাৰ হিয়াভগা-দুখ-পাহবোৱা নিচেই আপোনাৰ বিষ্ণক কণ্ড—

আহিছে বসন্ত বলিছে মণত,
কুলিবো সুবদি মাত;
আয়ে মোৰ শ্লোকত চকুলো টুকিছে,
হিয়া মোৰ নপৰে শাঁত।
হেবা বিহু মোৰ সাহবি মাতিছো
ধবাৰে মোহিনী বেশ;
লাহবিলাহত দুখ পাহবাই
ঋতুবে পুকুবা দেশ ঃ

—শ্রীতৰুণ বাম ফুকন, বাব-এট-ল

বিহু

এই বিহুব দিনাখনেই প্রেমৰ মাজেদিয়েই আধ্যাত্মিকতাই অসমীয়া মানুহৰ অন্তৰ অভিভূত কবে। গোধালিব গৰুব নতুন পথা, অতি আবহবে বঢ় কবি সিঁচিত থা বুগুবা, লাউ-বেডেনা বুগুবা সিও এটি এই বিহুবে অঙ্গ। পুৱতি নিশাবেপবা বুঢ়া-বুঢ়ী ঢেকা-গাভৰু সকলোবে প্রাণ মাজেবি এটি উৎসাহ আৰু প্রীতি বৈ যায়। ভনীটীয়ে মবমব ভাইটীলৈ, বৈবীয়েকে সিবীয়েকলৈ, জীয়েকে বাপেকলৈ, কত দিনবেপবা কত প্রেমেবে, কত আবহবে বিহুবাম বৈ বিহুব দিনলৈকে বাট চাই থাকে। মহাত্মা গান্ধীজীয়ে এদিন কৈছিল যে অসমীয়া তিবোতাসকলে অকণ কাপোবেই নবয়, কাপোবব ভিতবত তেওঁলোকে সপোনব ফুল বাছে আৰু প্রেমৰ কাৰুকাৰ্য্য কবি দিয়ে। "They weave dreams and embroider love into the cloths" এতিয়া ভাবুকে বুজিব কেনেকৈ অসমীয়া তিবোতাই বোৱা কাপোবত সপোন মেৰ খাই থাকে। ইয়াত যে প্রত্যেকখাল সুতাব লগে লগে প্রণয়ৰ কত প্রেম সনা আছে তাক অসমীয়া মানুহে হে বুজে। সেইদেখি বিহুবাদনৰ অসমীয়াৰ বৰ আদবব, বৰ গৌৰবৰ ধান। তাৰ পিছত সম্মান। ভগাননক পূজা কবি ইষ্টদেৱতা আৰু গুৰুক অতি ভক্তিভাবে নমস্কাৰ কবি, পুতেক-জীয়েকে মাক-বাপেকক, বৈবীয়েকে সিবীয়েকক এনেকৈ গুৰুজনক ভক্তিভাবে সেৱা কবাটোও এই বিহুবে এটি অনুষ্ঠান। কিমান সবল ভাবেবে এই সেৱাটি হয় আৰু কত সবল আৰু সুন্দৰ ভাবেবে তাব

আশীৰ্ব্বাদটি গুৰুজনৰ মুখৰপৰা ওলায় তাক জনা জনেহে জানে। তাৰ পিছত বিহুৰ জলপান। ধনীয়ে কত তৰহৰ জলপানেৰে প্ৰেমাস্পদসকলক তৃপ্ত কৰে, দুখীয়াই খুজি অনা খুদ-কণৰে পিঠা-পায়স কৰিয়েই বিহু উপভোগ কৰে। কিন্তু এই সম্ভাৰ সৃষ্টি কৰোতেও ঘৰৰ তিৰোতাসকলৰ গোটেইখিনি প্ৰেম তাতে সংযুক্ত কৰি দিয়ে। বিলাতৰ খানা খোৱা, বঙালী বা আন আন জাতিৰ উৎকৃষ্ট মিঠাই খোৱা মানুহবিলাকো দুৰদুৰান্তৰৰ পৰা অতি হেপাহেৰে বিহু খাবলৈ নিজ পজা-ঘৰ বুলি লৰি আহে। এই বিহুৰ দিনাখন অন্ততঃ এদিনলৈ অসমীয়াই শত্ৰুতা পাহৰি যায়। চিৰশত্ৰুকো সেইদিনা গালি পাৰিব বা বেয়া কথা কব নোৱাৰে। বছৰেকৰ বিহুৰ দিনা ঘৰৰ দুষ্ট লৰা-ছোৱালীয়েও এযাৰ ডাবি নাখায়। অৰ্থাৎ মধুময় বসন্তৰ এই মধুৰ দিনত পৃথিৱী মধুময়, আকাশ, বতাহ, চৰাই-চিৰিকতি সকলো মাধুৰীৰে পৰিপূৰ্ণ। যিটি গায়ে গাখীৰ দিয়ে সেই গাই মধুমতী। মানুহৰ অন্তৰৰ যত বেয়া ভাব তল পৰি হৃদয় মধুময় হয়। সেইদেখি বছৰৰ বিহুৰ দিনা শত্ৰুও মিত্ৰ হয়, মিত্ৰ আৰু মিত্ৰ হয়। পিতাপুত্ৰই প্ৰেমৰ সোৱাদ উপভোগ কৰে। ভনীটী বাইদেও এইসকলে সাতনৈ সাতুৰি ভাই-ককাই আই-বোপাইৰ প্ৰেমৰ ভাগ লবলৈ লৰি আহে। সেইদেখি বিহু অকল বিষুৱ সংক্ৰান্তিয়েই নহয়। বিহু অসমীয়াৰ প্ৰাণৰ ভিতৰেদি বৈ যোৱা প্ৰেমৰ ফল্গুনদী। অসমীয়াই যুগযুগান্তেও যেন এই বিহু উছৱ আৰু এই বিহুৰ মাধুৰী নাপাহৰে। বাস্তৱিকে বসন্তৰ সৌন্দৰ্য্য ভগৱানে পৃথিৱীৰ সকলো ঠাইতে সমানে দিয়া নাই। বিলাতত Spring বা বসন্ত অতি মনোহৰ। ভাৰতৰ সকলো ঠাইতে ৰূপ-ৰঙৰ খেলা সমান নহয়। ফাগুৱা বসন্তোৎসৱ; সেই সময়ত ৰঙেৰে পৃথিৱী বৈ যায়। বঙালী কবিয়ে গান লিখিছে "লাল কুসুম লতা লাল গাছেৰি পাতা লাল ধুলা লয়ে বঙ্গে আনিল খেলায়।" সিওতো হয় কিন্তু এই এপ্ৰিল মাহত ভাৰতৰ বহু ঠাইত তপত বতাহে মানুহৰ শৰীৰ অস্থিৰ কৰি তোলে, নানা ৰকমৰ ৰোগে বিশেষকৈ বসন্ত ৰোগে গাওঁ ভুই নগৰ অশান্তিময় কৰি তোলে কিন্তু Temperate zone অৰ্থাৎ নাতিশীতোষ্ণ অসম দেশখন প্ৰকৃতিৰ কাম্যকানন। ফাগুনৰ বতাহে মানুহক প্ৰফুল্লিত কৰি তোলে। সেই দেখিয়েই অসমীয়াৰ বিহু জাতীয় উৎসৱ।

—শ্ৰীনবীন চন্দ্ৰ বৰদলৈ, বি-এল

বিহু-নিবেদন

শ্যামলা ধৰণীকু শ্যামল তৃণ-তৰু
পল্লৱ শ্যাম বৰণ।
শোভনা ঋতুমতী আৱত মৃদুগতি
মনসিজ-মন-হৰণ॥
কোকিল কলস্বৰে বাণী মুখৰ কৰে
কেতেকী বিৰহে দহে।
মধুকৰ গুঞ্জন পৰাগ লুণ্ঠন
কুসুম কমনে সহে?
যুৱক-জন-চিত গাৱত বিহু-গীত
কবিতা ঝৰয় ঘনে।
কামদা কামৰূপ শোভয় নিজৰূপ
বৈশাখ বেণু-বনে॥
প্ৰেমকু চিৰদাস প্ৰেম হামাকু আশ
প্ৰেমহি ভকতিকো ধন।
মানৱ-দেৱগণ দেহ প্ৰেমিক মন
হামাৰি ওহি নিবেদন॥

—শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা

আত্ম-বিৱৃতি

(ক)

—শ্ৰীযুত চিত্ৰসেন যখৰীয়া

সম্পাদক ডাঙৰীয়া!

বহুত দিন ভাবিছো পাহৰণিৰ গৰ্ত্তত নিজক মাৰ নিয়াওঁ, কিন্তু নোৱাৰিছো। যিমানে চেষ্টা কৰিছো তিমানে এই ভাব দৃঢ় হৈ আহিছে যে লোকে জনাকৈয়ে যদি জীয়াই থাকিব নোৱাৰিলো, চুকৰ কোণত মেকুৰীটোৰ নিচনাকৈ থাকিলো বা নাথাকিলো একে কথা। মোৰ নিজৰ ভিতৰত হে এইটো ভাবে গোঁ-গোঁৱাই আছে। কিন্তু বাহিৰত কি বুলি প্ৰকাশ কৰিব লাগে,তাৰ বৰ ভু নাপাওঁ। মোৰ মতলবটো তো নিশ্চয় আপুনি বুজিছে। সেইটো হলেই হয়; যদি ইমানতো বুজা নাই—কিন্তু এটা কথা,কব লাগিলেই মোৰ দিগদাৰ, আপুনি সঁচাকৈ বুজা নাই নে? নিশ্চয় বুজিছে। আপোনালোক বুদ্ধিমান মানুহ। বুদ্ধিমান নহলে নো আৰু ৰাইজৰ টকা ঘটিছে নে? এলাপেচা মানুহ হোৱা হলে কিবা এটা ঘণ্টক লাগি গল-হেঁতেন। বাৰু যি নহক, বুজিছে তো? আন একো নহয় মানুহে মোক চিনক, জানক, মোৰ কথা কওক; এই আৰু অন্য কি? অৱশ্যে আপুনি সুধিব পাৰে "আপোনাৰ যোগ্যতা কি?" অনুগ্ৰহ কৰি সেইটো নুসুধিব হেৰি। মই তাৰে ভয়তে ইমানদিন ৰাইজৰ মাজেদি বিৰ দি ওলোৱা নাই, জানোচা কোনোবাই ঘপহকৈ তেনে এটা খৰামুৰা প্ৰশ্ন কৰে। আপোনালোকে দেখো জানেই, আইন-কানুন জনা মানুহ, কিবা এখন আইন হব লাগিলে হেনো পেৰাম্বোল লাগে আৰু নিশ্চয় দেখিছে চুচুকচামাককৈ ন-লিখাকৰ কিতাপ ওলাব লাগিলে কিবা এখন ভুমুক-ভামাক লাগে—মোক একে চাবতে প্ৰশ্নটো সুধি ঠেক নিছিঙিব, মই বহু আশা কৰি ওলাইছো। আপোনালোকৰ লগত, ভগৱানে দিলে, স্থায়ী মিতিৰালি পাতিবৰ আশা। অৱশ্যে লৰা-ছোৱালী নিশ্চয় আপোনাৰো আছে;—আৰু যদি বিধাতাৰ হে জোৰা নাই তাক কেনেকৈ কৰিব? বাৰু সেইবোৰ যি নহক সুধীসমাজৰ লগত পৰিচয় হোৱাটোও এটা ভাইচ্।

আপুনি আমাক কিজানি পাহৰিলে,হওঁতে নাপাহৰিবও পাৰে। তাহানি কলিকতা হোটেলৰ কাষেদি আপুনি সো-সোৱাই যাওঁতে আপোনাৰ দৰ্শন লাভ। মই আছিলো ওপৰত, আপুনি তলত। অধ্যাপক কাকতীয়ে মাত লগালে 'হেৰি শৰ্ম্মা'। আপুনি ওপৰলৈ চকু তুলি মোকে দেখিলে। আপুনি অলপ অপ্ৰস্তুত হ'ল। আপোনাৰ চকুত অনুৰাগ, ৰব,শব্দটো ভুল হয় নেকি, বাৰু ঘূৰাই কওঁ, দেশ-প্ৰীতিৰ ভাব দেখিছিলো। কাকতীয়ে পুনৰ খিৰিকিৰে দেখা দিয়াত হে আপোনাৰ সন্দেহ গুচিল। আপোনালোকে যিবোৰ কথা পাতিলে তাত মোৰ পূৰা সহানুভূতি আছিল কিন্তু যোগ দিব পৰা নাছিলো বিশেষ কাৰণত। আশা কৰোঁ বেয়া পোৱা নাই, পাইছিল যদিও পাহৰি পেলাওক। ভি-পি ওলোটাই দিয়া গ্ৰাহকলৈ জানো আৰু কাকতৰ ভি-পি নপঠিয়ায়? মোকো তেওঁলোকৰ শাৰীতে লওক চোন। এইখন জানিবা সেই মৰ্ম্মৰে চিঠি।

আপোনাৰ কাকতত নানাজনে নানা প্ৰবন্ধে 'হৰেক কিছিম'ৰ প্ৰবন্ধ লিখে। কাকতখন আপোনাৰ ভালেই হৈছে,—প্ৰথম শ্ৰেণীৰ মাহেকীয়া কাকত নহয় নে? প্ৰথম শ্ৰেণীৰ হ'ল—'ফাৰ্ষ্ট ক্লাছ'? অনাৰ্চ নাই হব পায়, আজি কালি লৰাবোৰৰ হেনো সেইটোহে বেছি চকুত লাগে। মোৰো প্ৰবন্ধ লিখিবৰ আগ্ৰহ এটা বহু দিনৰ পৰা আছে। কি বিষয় লিখো ঠাৱৰাব পৰা নাছিলো। নানা বিষয় পাঙো, পিছত শেষ হোৱালৈকে সকলো সমল গোট খাই নাথাকে। মোৰ বয়সত হৰিনাম বা পুৰাতত্ত্ব এই দুটাই উচিত বিষয় আছিল বুজিছো, কিন্তু কি কৰিম, হৰিনামৰ ইমান অপব্যৱহাৰ হৈছে যে প্ৰায় শুধৰণীৰ ভাৰসা এৰিছো।

যদিও তাৰ মূল শুদ্ধই আছে, ব্যৱহাৰত তেনেই 'তিন্‌চাৰ আইদিন' যেন হৈছে ; খুন্দা খালেও তিন্‌চাৰদিন, কাটিলেও তিন্‌চাৰদিন আৰু ক'লাজৰ হলেও তিন্‌চাৰদিন ; হৰিনাম মুক্তিৰ বাবেও, ভণ্ডামিৰ বাবেও, আনকি বিস্ময় হোৱা বুজাবলৈকো। তদুপৰি হৰিৰ নামত ব্যক্তিগতভাৱে কিমান গুণ বা দোষৰ আৰোপ, কলিকতা চহৰৰ যেই সেই চিত্ৰব্যৱসায়ীৰ দোকানত সোমালেই বুজিব পাৰিব। প্ৰত্নতত্বটোৱে ভাল আছিল, তাতো জানিবা মতবাদৰ প্ৰাধান্য বেছি। মই আগৰৱালা, পদ্মপতি, কটকী,চৌধাৰী আৰু স্বৰ্গীয় গোস্বামীৰো নানা কাম লিৰিকি-বিদাৰি চাই মোৰো কামৰ বাট পোনাই আনিছিলো, অধ্যাপক দিক্‌চিতৰ লগতো দীঘলী পুখুৰীৰ পাৰত কথা পাতিছিলো, ভাণ্ডাৰকাৰক লৈ গুৱাহাটীৰ সাত পুখুৰীলৈ উঠিছিলো, লুইতৰ বালিত কেই ৰাতি যাপিলো, গুইসাপৰ মুখৰ আগেদি জাপ মাৰি কোনো ৰকমে ৰক্ষা পৰিলো,—বিশ্বাস কৰিব, এইবোৰ সকলো এটা প্ৰবন্ধৰ সমল গোটোৱাৰ কাৰণে, কিন্তু সি হৈ নুঠিল। শিলত আধা ছপা কথাৰ অস্পষ্ট আভাস দি মোৰ দেশবাসীক আন্ধাৰত খপিয়াই-জপিয়াই মৰিবলৈ দিবৰ মোৰ ইচ্ছা সমূলি নাছিল। ঘৰৰ পুৰণি কোহা-অৰ্ঘা গলাই সুন্দৰ এখনি ফলি কৰাই পাকৈত সোণাৰি এজনেৰে পুৰণি হৰফত স্পষ্টকৈ লিখালো, আমাৰ দেশখন কি সুন্দৰ দেৱৰো বাঞ্ছিত আছিল—ইন্দ্ৰৰ মুখেৰে ইন্দ্ৰানীৰ আগত ইয়াৰ গুণ বৰ্ণাইছিলো। চন দিলো, 'বাণ চন্দ্ৰ হাজাৰ বৎসৰ খৃষ্টপূৰ্ব্ব'। ভাবিলো দেশৰ বুৰঞ্জীত মোৰ নামে ঠাই এডোখৰ নামজাৰি হ'ল—কিন্তু বিধিৰ বিড়ম্বনা! অনুসন্ধান' সমিতিৰ সম্পাদক ডাঙৰীয়াই মতাই নি কলে "আপোনাৰ কথা বৰচাহাবৰ কাণত পৰিছে, ইয়াতো জালৰ অপৰাধ হব পাৰে।" মই অলপ পৰ নুবুজা ভাও ধৰি আছিলো, কিন্তু তেখেতে যেতিয়া কলে—'আপোনাৰ খৃষ্টপূৰ্ব্বৰ তাম্ৰফলক', মই তেতিয়াও গহীনাই কলো—"দোষ? ভাস্কৰ বৰ্ম্মাৰ ফলি বোধ কৰো আপুনি দেখা নাই!" সম্পাদকে কলে 'ফলি নেদেখিলেও ৰিপ্ৰিণ্ট দেখিলো, সেয়ে মোৰ এম-এৰ বিষয়, কিন্তু খৃষ্টপূৰ্ব্ব কোনো ফলিত দেখা নাই। আপুনি ভালে ভালে য'ক, চক চুৱা কৰিছে কৰিছে, গালত ছাই নাসানিব।" তেতিয়াৰ পৰা সিপিনে তৌবা কৰিছো। এইখিনি কথা আপুনি নছপাব দেই, মোৰে শপত।

এতিয়া বিষয় দেখিছো একেটা আছে। মোৰ আত্ম-বিবৃতি। নানা সুধীজনে এই লাইনতো কলম চলাইছে, কিন্তু হলেও মোৰ নিজৰ তো এটা বক্তব্য আছে। আৰু যদি কিবা ভুলো হয়, আপুনি নিজে শুধৰাব দেই, ভাল আইডিয়া থাকিলে সুমাই দিব, উপমা নালাগে, আজিকালি কালিদাসৰ দিন নাই। মই যিমান পাৰোঁ চুম্বক কৰিম, আপোনাৰ ওপৰতে সৰ্ব্বভাৰসা।

মই ক'ত কাহানি জন্মিছিলো বৰ স্থিৰতা নাই। পুৰণি বস্তি বুলি গৰ্ব্ব কৰিবৰ মোৰ বিশেষ ঠাই এডোখৰ নাই। কিন্তু এটা কথা—আমাৰ দেশৰ নদনদীবোৰৰ আপোনা-লোকে যিমানেই গৌৰৱ-গাথা নাগাওক মই তেওঁলোকৰ সাধুবাদ গাব নোৱাৰোঁ। সিদিনা এজন বঙ্গালী ভদ্ৰলোক টঙ্গলাৰ পৰা মোৰ গাড়ীত একেলগে অহাত তাকেই কৈ আহিছে যে তেওঁলোকৰ দেশত হেনো আগেয়ে ৰজা-বাদছাহে ভৰি আছিল, গাওঁ বোলা নিকৃষ্ট পদবাচ্য সমষ্টি নিচেই কম আছিল, সকলো চহৰ বন্দৰ, সকলো ৰাজধানী আছিল, 'কুঁড়ে' ঘৰ শব্দটো হেনো পাছৰ কালৰ আবিষ্কাৰ। কিন্তু কালৰ কৰাল গ্ৰাসত পৰি সকলো নাই-নুই হ'ল, ভগ্নাৱশেষবোৰ নৈয়ে ধুই নিলে। মই কলো, ঠিক কথা আমাৰ দেশতো দেশব্যাপী কাৰেং ঘৰ আছিল, সেই শব্দই আপোনালোকৰ মুখত পৰি 'নোংড়া' হৈ 'কুঁড়ে" হল। তেওঁ ভালকৈ বুজিব নোৱাৰিলে, অপ্ৰস্তুত হাঁহিতে বুজিলো মোৰো ভাষাজ্ঞানত নিজে আহ্লাদিত হৈ এটা আত্মতুষ্টি-জ্ঞাপক হাঁহি মাৰিলো। তেওঁ বহুত পৰৰ মূৰত মনত পেলাই কলে, সেই কাৰণে হেনো এটা নৈৰ নাম থৈছে কীৰ্ত্তিনাশা। মই হাঁহি কলো, ঠিক যেন আমাৰ নাওবৈছা। মোক বিজ্ঞ যেন দেখি আৰু বেছি কথা নুসুধিলে। এইখিনি কোৱাৰ মোৰ উদ্দেশ্য হৈছে মোৰো জন্মস্থান কিজানি লুইতৰ অতল গৰ্ত্তত ক'তবাত লুকাই আছে। আয়ে মোক প্ৰথম চুমা খোৱা ঠাইখিনি কিজানি কোনোবা বটতৰুৰ তলত শহাপোৱালিয়ে ধেমালি কৰা হৈ ঢাক খাই

আছে! আজিও মোৰ গাত উৎসাহ থকা দেখিহে এনে এটা অনুমান কৰিব পাৰিছো। মোৰ নাড়ী কটা অক্ষত বাহৰ চোঁচডালৰ লগত যে আজি এটা কি সম্বন্ধ জাগি উঠিছে। যোৱা বন্ধু, কেতিয়াবা দেখা হব।

বৈশিষ্ট্য বহুতৰ জীৱনলৈ পলমকৈ আহে। জীৱনী সমালোচকসকলে অৱশ্যে যিমান আগেয়ে বৈশিষ্ট্যৰ পোহৰ পেলাব পাৰে তিমানেই ভাল পায়, ই যেন ডাক্তৰী মনোবিজ্ঞানৰ কথা, অলপ মাত্ৰ প্ৰভেদ। ৰোগী মৰাৰ পিছত চিকিৎসকসকলে বেমাৰৰ পৰিচয় বিবৃত কৰা নিশ্চয় আপোনালোকে শুনিছে ;—আপুনি ডাক্তৰ হলেও বেয়া নাপাব—কোন অৱস্থাত কি কি লক্ষণ প্ৰকাশ পাইছিল, কেনে অতৰ্কিতভাৱে 'আনাৰি' হাতত পৰি সেইবোৰ অতৰ্কিত থাকিল, মৰাৰ আগমুহূৰ্ত্ততে এওঁ বিজ্ঞ চিকিৎসকে সকলো কিদৰে হুবহু ধৰি পেলালে ইত্যাদি। তেওঁলোকৰ মতে নৰিয়াৰ আৰম্ভণিতেই বিশেষ ধৰা যায়, পিছত সি বহুৰূপাত্মক হয় ; পেট-কামোৰণিত আৰম্ভ কৰি মূত্ৰ বিকাৰগ্ৰস্ত হৈ মানুহ মৰা দেখা যায়। সেই কাৰণে তেওঁলোকৰ মতে ৰোগৰ আদি কাহিনীয়েহে প্ৰকৃত ৰোগ নিৰ্ণয় কৰে। জীৱনীলিখকসকলেও সেইদৰে সকলো ছিমটম্ আৰোপ কৰে জীৱনৰ আদিছোৱাতে। কিন্তু দুখৰ বিষয় মোৰ বাল্যলীলাত ভবিষ্যতৰ বিশেষ বীজ বিচাৰি নাপাওঁ। কেৱল মনত পৰে স্কুললৈ যোৱাৰ বিশেষ আৱশ্যক বোধ কৰা নাছিলো। তুঁহজুইত দিয়া কঠালৰ গুটি দুই এটা ফুটিছিল, কামীত ভৰি দি বেৰৰ মূৰৰ পইছাৰ চুঙা পাৰোতে ভৰি পিছলি পৰিছিলো, মুগা ডমৰাক ঘোৰা কৰোঁতে মাটিত পেলাই লঠিয়াইছিল ইত্যাদি প্ৰভৃতি। কিন্তু ৰজা-ঘৰীয়া বিষয়-আশয়ৰ বাবে তেতিয়াই মোৰ চকু মেল খাইছিল।

মাজৰ এছোৱা এৰি দিওঁ নে কি কয়? বুৰঞ্জীমূলক ঘটনা ইয়াৰ ভিতৰত একো হোৱা নাছিল। পণ্ডিত মাষ্টৰৰ কোব,দুই এখন পাঠ্য পুথিৰ সমাগম, দুই এটা স্কুলৰ অদল বদল, প্ৰমোশ্যন, পাছ-ফেল, নানাৰূপ প্ৰিয়াপ্ৰিয় সাধাৰণ কথা। শেষ কিস্তি ফেল, স্কুলত্যাগ আৰু ফৰেষ্ট ছাৰ্ভিছ গ্ৰহণ। নিয়োগ পত্ৰৰ তাৰিখ দিব নোৱাৰিম, তথাপি ১৮৯৭ চনৰ জুলাইৰ আগ পষ। বাব হেড্‌গাৰ্ড। চাকৰি পোৱা সেই দিনত গৌৰৱৰ বিষয় আছিল ; আজি কালিও যে নিতান্ত নহয় তেনে নহয়, তথাপি ভাবৰ মৌলিক প্ৰকাৰ ভিন্ন আহিৰ হৈছে (নেপথ্যে—মোৰ ভাষাৰ গঢ় বেয়া নহব লাগে)। এতিয়া মানুহে বিচাৰ লয় টকাৰ। আগেয়ে জানিবা অলপ টকাৰ চাকৰি হলেও মানুহৰ চকুত সেয়ে বৰ সন্মানৰ হৈছিল কিন্তু এতিয়া কম টকাৰ চাকৰীয়াক হেয়জ্ঞান কৰে, বেছি টকা পালেহে মানুহ। এটা শ্ৰেণীৰ মানুহ আছিল তেওঁলোকে অৱশ্যে সন্মানিত উকীল বুলি চিনাকি দিয়ে। তেওঁলোকে চাকৰিৰ নিন্দা বৰাবৰ কৰে কিন্তু শ্বিলঙত যেতিয়া মণ্টেগু চাহাবে বেছি টকাৰ চাকৰিৰ পোহাৰ মেলি দিলে তেতিয়াহে তেওঁলোকৰ খোৱা-কামোৰা। হওক বাৰু, সিবোৰ কথা গুপুততে থাকক। মই এতিয়াও তাৰ আলোচনাৰ লায়ক হোৱা নাই, কেৱল পাৰ্টি ফালি এহেজাৰ টকাৰ বাবে এজন মুখিয়াল হোৱা বুলি বৰদলৈ ডাঙৰীয়াই কলে দেখিহে। ইস্কুলত বেছি দিন নপঢ়াৰ ইও এটা দুৰ্গুণ, পইণ্ট বাছি কথা কব নাজানো।

মোৰ ঘৰুৱা জীৱনৰ আভাস দিয়া বোধ হয় নিতান্ত আৱশ্যক কিন্তু এই বিষয়ত মোৰ অলপ খোকোজা লাগে। আমাৰ বিয়াবাৰু নিতান্ত সাধাৰণ ফেশ্যনে হৈ গৈছিল ; আজি কালি লৰাবোৰে লিখাৰ নিচিনাকৈ হোৱা হলে জানিবা ভাল পালো হেঁতেন। কলিকলীয়া মানুহ, আৰু বেছিদিন থাকিবৰ আশা নাই, বিধবা এৰি যাবৰ ইচ্ছাও নাই, নোহোৱা হলে আপোনাক মিছা কম নে, এতিয়াও দুই এবাৰ নতুন ধৰণৰ বিয়া পাতি ন-ছোৱালী চাবলৈ মন যায়। আগৰজনা নিতান্ত, অতি নিতান্ত পুৰণি ধৰণৰ। আজি-কালিৰ এইবোৰৰ কথা কলে আকৌ হাঁহে। কিন্তু এটা কথা আপোনাক কওঁ, এসময় আছিল যেতিয়া এওঁ মোৰ গতিগোত্ৰ, আলেখ-লেখ অলপ লক্ষ্য কৰিছিল। মোৰ গাত কিন্তু দোষ সমূলি নাছিল দেই। ৰূপহী বুলি এজনী ছোৱালী আমাৰ তালৈ অহা যোৱা কৰিছিল। তাইৰ মাকে মাজে সময়ে ঘৈণীক ইবিধ সিবিধত সহায় কৰিছিল। ৰূপহীও মাকৰ লগতে আহি পোনতে দেখা দিয়ে কিন্তু মাকতকৈ তাইহে বেছি আদৰৰ হৈ উঠিল। মাক বয়সীয়া,

তাই গাভৰু। মাকৰ বৰণ শাওবৰণীয়া ; তাই ৰঙচুৱা। মাকে মোকোৰা ভৰাই তামোল পাগুলে আৰু জীয়েকে পিকাল ওঁঠত মিচিকিয়া হাঁহিৰে তিৰবিৰাই থাকে। তাইলৈ যদি অলপ ৰ লাগি চাইছিলো সেইটো মোৰ দোষ নে ?

লৰা-ছোৱালী মোৰ ভালেদিনলৈ হোৱা নাছিল। তেতিয়া বহুতে ঘৈণীতে দোষাৰোপ কৰিছিল। দ্বিতীয় বিবাহৰ প্ৰস্তাৱ কৰা বন্ধুও দুই-চাৰিজন পাইছিলো। এই কথাটো যেতিয়া মোৰ পত্নীৰ আগত উলিয়াওঁ, বেচেৰীৰ চলচলীয়া চকু এতিয়াও মনত পৰে। ঘৈণী সম্বন্ধে মোৰ ডাক্তৰী পাছ বন্ধু এজনে কলে—"অপাৰেশ্যন কৰোৱা, নাইন্টি পাৰ্ছেণ্ট চক্সেছফুল। মই বিজ্ঞ চিকিৎসক বিচাৰি তেওঁৰে সহায়ত কলিকতালৈ লৈ আহিলো। বুঢ়া চিকিৎসকে মোক কাষলৈ মাতি নি কলে "বোপা দোষ তোমাৰ ; ছোৱালীজনীক মিছাতে কষ্ট নিদিবা। মই বাৰু তোমাক ভাল কৰি দিম ভবিষ্যতে যাতে পুনৰ অপাৰেশ্যনৰ উপদেশ নোপোৱা।" আজিকালি বোধ হয় তেওঁ স্বৰ্গত কিন্তু এইষাৰ কথা মনত পৰিলে আৰু মোৰ দুৰ্ভাগ্যৰ কাৰো ঘৰত পুনৰ অভিনয় হোৱা দেখিলে সেই চিকিৎসকজনৰ উদ্দেশ্যে হাত দুখন আপুনি যোৰ হয়।

পুৰাণৰ সত্যাৰ্থ ব্যাখ্যা

—শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য

পুৰাণৰ সত্য তথ্যবিলাক খুচৰি খুচৰি উলিয়াবলৈ হলে সৃষ্টিতত্ত্বেৰে সৈতে আৰম্ভ কৰিব লগাত পৰে। ভূতত্ত্ব, প্ৰাণীতত্ত্ব সৃষ্টিতত্ত্বৰ লগত লগৰীয়া সম্বন্ধ ; এতেকে আগতে সৃষ্টিতত্ত্ব ধৰি ক্ৰমান্বয়ে ভূতত্ত্ব আৰু প্ৰাণীতত্ত্ব বিচাৰ কৰা যাওক। পুৰাণত সৃষ্টিতত্ত্ব সম্বন্ধে আদি যুগৰ মানুহৰ বিশ্বাস ধাৰণা মতে পুৰুষ পৰম্পৰা কৈ অহা সাধুকথা বা উপকথা (Fable) বিলাকৰ ভিতৰৰ পৰাও আচল সঁচাটি উলিয়াব পৰা যায়। ইয়াকেই অনেকে নেভাবি কবিৰ নানা অলঙ্কাৰযুক্ত ৰূপক বৰ্ণনাবিলাককেই সঁচা পাতি গ্ৰহণ কৰে। কবিয়ে গছ এজুপিক এনেদৰে বৰ্ণনা কৰিব পাৰে যে সেই গছজুপিৰ অলেখ ঠালত অলেখ পৃথিবী গোট লগাৰ দৰে ওলমি আছে, অলেখ চন্দ্ৰ-সূৰ্য্য পোহৰ কৰি আছে : পুৰাণবিলাকৰ আখ্যানবিলাক প্ৰায় এনে ভাবৰেই। আমাৰ ভাৰতবৰ্ষৰ হিন্দুজাতিৰ পুৰাণেই যে এনেকুৱা এনে নহয় ; মানুহৰ অতি আদিম অৱস্থা যেতিয়া আছিল, জ্ঞানৰ শিশু অৱস্থা, বিজ্ঞান অপ্ৰকাশিত থকা কালত, আখৰৰ জন্ম নৌ হওঁতে সকলো জাতিৰ সকলো মানুহেই প্ৰকৃতিৰ কাৰ্য্যবিলাকৰ ভয়ানক আৰু অসম্ভৱ কথাৰ গল্পবিলাক পুৰুষ পৰম্পৰা কৈ আহিছিল। পিছত আখৰ যেতিয়া মানুহে উলিয়ালে সেই গল্প আৰু উপকথা (Fable) বিলাক লিখি পুথি কৰি ৰাখিলে। সেইবিলাকেই পুৰাণ বা অসম্ভৱ কথা (Legend) হৈ পৰিল। এই উপকথা আৰু অসম্ভৱ কথাৰ বৃত্তান্ত (Legend) বিলাকৰ পৰা বাছি বাছি সত্য আবিষ্কাৰ কৰিব পাৰি। পিছকলীয়া পণ্ডিতসকলে ভূতত্ত্ব আৰু প্ৰাণীতত্ত্ব দুই ভাগত বিভক্ত কৰে, যথা—Pre-cambrian age জলকল্পৰ পূৰ্ব্ব ডোখৰ, cambrian age জলকল্প Miocene age পৃথিবী হোৱা ক্ৰমোন্নতি ডোখৰ ইমানখিনিলৈকে ভূতত্ত্ব।

প্ৰাণীতত্ত্ব

ইয়াৰ পিছৰ ডোখৰ প্ৰাণীতত্ত্ব, Silian age অগ্নিকল্প অৰ্থাৎ যেতিয়াৰ পৰা জুই ধৰা হল, Arkian age নৌকা গঠনকল্প, Stone age শিলৰ অস্ত্ৰ বনোৱা কল্প। আৰ্য্যজাতিৰ পুৰাণৰ ভূতত্ত্ব, প্ৰাণীতত্ত্ব একেবাৰে বেলেগ যেন দেখায়।

আমাৰ পুৰাণে কয় অনন্ত শয্যাত ঈশ্বৰ শুই আছিল। আজিকালিৰ ইউৰুপীয়ান পণ্ডিতসকলেও আদিতে প্ৰকৃতিৰ ঐশ শক্তিৰ (Absolute) অৱস্থা এটি থকাৰ কথা স্বীকাৰ কৰে। যেনে—Absolute cansation, motion, cosmos and Microcrosom। আমাৰ পুৰাণে নানা কবিতাপূৰ্ণ অলংকাৰ লগাই এই কথাকেই হৰি অনন্ত শয্যাত শুই থকা পাতে। এয়ে সাংখ্যদৰ্শনে কোৱা নিৰ্গুণ অৱস্থা। যেনে, স্বত্বঃ ৰজস্তমেষাৰ সাম্যাবস্থা প্ৰকৃতি। যেতিয়া হৰি অনন্ত শয্যাত শুই আছিল তেতিয়া তেওঁৰ নাইৰ পৰা পদুমৰ নলা এদালি ওলাই ওপৰত পদুম ফুল এটি ফুলি উঠিল, তাতে ব্ৰহ্মাৰ জন্ম হৈ তেওঁ সৃষ্টি কৰিব ধৰিলে,—"তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত" ইত্যাদি ইত্যাদি। কথাটি ভাবি দেখিলে নাভি কমল হৈছে আমাৰ পৃথিবীৰ সূৰ্য্যটি। এই সূৰ্য্যটিৰ মূলত উৎপত্তিৰ কাৰণ হলে মই নিজে ভাবি ধৰোঁ উমা প্ৰকৃতি। উমা উম্ ধাতু উমঃ ৰোধঃ—যি শক্তিটি ক্ষুদ্ৰ পৰমাণুৰ পৰা সকলো পদাৰ্থতেই ৰোধ হৈ উমাই উমাই আছে। আৰ্য্য ঋষিসকলে আবিষ্কাৰ কৰা উমা প্ৰকৃতিকেই আজিকালি আমাৰ বৈজ্ঞানিক পণ্ডিতসকলে ইলেক্ট্ৰন বুলি এবিধ পদাৰ্থ উলিয়াইছে যি আদি কালৰে পৰা অণু-পৰমাণু আদিৰ ভিতৰতো অপ্ৰকাশিতৰূপে সৰ্ব্বব্যাপক হৈ সোমাই আছে। আমাৰ আদিতে ঋষিসকলেও উমা প্ৰকৃতিয়ে কোৱাদৰে পুৰাণত উল্লেখ পোৱা যায় যথা "সৰ্ব্ব লোকেষু যৎকিঞ্চিদ্ৰহিতং ন ময়াবিনা।" আমি অসমীয়াই উম্ শব্দটি ব্যৱহাৰ কৰো, সকলো বস্তুতেই উম্ থকা ভাবো আনকি পানীতো উম্ আছে বুলি ভাবো। ভাবি দেখিলে এইটি অস্ফুটভাৱে সৰ্ব্বব্যাপক হৈ থকা তেজ শক্তি। ভগৱানৰ এই তেজশক্তিয়েই প্ৰকাশ হৈ নাভি কমল সূৰ্য্য হল। এই নাভি কমল সূৰ্য্যটি যেতিয়া হল তেতিয়া ৰজোগুণ প্ৰকাশ হৈ ক্ৰমে সৃষ্টি হব ধৰিলে। ৰজোগুণকেই পুৰাণে ব্ৰহ্মা পাতে।

বৈষ্ণৱ পুৰাণৰ মতে হৰিৰ দশ অৱতাৰ। যথা—"মৎস্য, কূৰ্ম্ম, বৰাহশ্চ, নৃসিংহ, বামনমেবচ, ৰামঃ ৰামঃ, ৰামশ্চ, বোধ, কল্কি অতে দশঃ।" ভাবি দেখিলে এই দশ অৱতাৰেই সৃষ্টিৰ দশকল্প বুজায়। পোনতে ব্ৰহ্মকল্প, যেতিয়া সূৰ্য্যটিক নীহাৰিকা (Nebula) বিলাকে ঢাকি ৰাখিছিল তেতিয়া সেইবিলাকে সূৰ্য্যক কেন্দ্ৰ পাতি এনে টান কোবেৰে ঘূৰিব ধৰিলে যে ঘূৰাৰ অতিশয় (with the electrocity of the rotatory motion) চক্ৰাকাৰ কোবৰ ফলত নীহাৰিকা পৰমাণুবিলাক শিলৰ দৰে টান হৈ একো একোটি গোলাকাৰ পিণ্ড হৈ পৰিল। আমাৰ পৃথিবীৰে সৈতে নখন পৃথিবী হৈ সূৰ্য্যক প্ৰদক্ষিণ কৰি কৰি সূৰ্য্যৰ পৰা দূৰাগত হৈ প্ৰদক্ষিণ কৰি থাকিব ধৰিলে। আমাৰ খন পৃথিবী যেতিয়া কুমাৰে পাগহালিত দিয়া চৰুৰ দৰে অগ্নিময় হৈ ৰঙা হৈ আছিল তেতিয়া ধোৱাকোৱা অৱস্থা আছিল। এসময়ত এই ধোৱাময় অৱস্থাই মেঘ সৃষ্টি কৰিলে। তেতিয়া মেঘবিলাক গোট খাই বৰকৈ বৰষিব ধৰিলে। গোটেই পৃথিবীখনকেই পানীৰে বুৰাই পেলালে। এই কথাকে বেদে কয় "পিতৰঃ দুহিতৰম গৃহীত্বা ক্ষুনয়া ৰেতঃ মুমুঞ্চ"। পিতা হৈছে ব্ৰহ্ম বা ব্ৰহ্মা, দুহিতৃ হৈছে পৃথিবী অৰ্থাৎ মূলকথাত ইয়াকে বুজায় যে ঈশ্বৰে পৃথিবীক ধৰি বৃষ্টি পাত কৰিলে। ইয়াকে ব্ৰাহ্মণ শতপথ আদি পুৰাণে ব্ৰহ্মাই জীয়েকত খোৱা পাতি কি যে বীভৎস বৰ্ণনা কৰিছে শুনিলে কাণত আঙুলি দিব লগাত পৰে। পৃথিবী জলপূৰ্ণ হোৱা কল্পটিক অৰ্ণব বা জলকল্প বোলে। পৃথিবীৰ তলডোখৰ চকচকীয়া পাথৰ ; পাঁচোটি ভূতৰ ভিতৰৰ এটি ভূতৰ অভাব, সৃষ্টি হয় কেনেকৈ ? মাটি নহলে জীৱৰ জন্ম ক'ৰ পৰা হয় ? কৌশলী খনিকৰ গৰাকীজনে যথা "পূৰ্ব্বমকল্পয়েৎ" পূৰ্ব্বে কল্পনা কৰি ৰখা মতে এই অৱস্থাত সূৰ্য্যৰ দুটি কাণ ছিঙি দুই খণ্ড উল্কাপিণ্ড প্ৰলয় জলত পেলাই দিলে। সেই দুই খণ্ড উল্কাপিণ্ডই পৃথিবীৰ গোটেই পানী জুৰি ললে। পুৰাণে এই দুটিক দুৰ্জ্জয় মধু আৰু কৈটভ নামে দুটি অসুৰ পাতি মহাবিষ্ণুৱে সৈতে প্ৰলয় পানীত দহ হেজাৰ বছৰ যুদ্ধ লগাই শেহত বিষ্ণুৱে সিহত দুজনক বধ কৰে, সিহতৰ শৰীৰ পানীৰ তলত পচি মেদ হয় অৰ্থাৎ সাগৰৰ তলিত পলস পৰে। এইবাবে পৃথিবীৰ নাম মেদিনী। মধুকৈটভ দুই খণ্ড

উদ্ধাপিণ্ড সূৰ্য্যৰ দুই কাষৰ পৰা খহি যেতিয়া পৃথিবীভৰা অথাই সাগৰৰ পানীত পৰে তেতিয়া জোনাকী পৰুৱাৰ দৰে জিলিকি আহিছিল, সেই নিমিত্তে কৈটভ—"কীটং যেন ভাতীতি" বোলা হৈছিল হবলা। এই দুই খণ্ডক শাস্ত্রে বিষ্ণুৰ কাণৰ মল বুলি কয়, তেতিয়াৰ দিনত সূৰ্য্যই হে বিষ্ণু আছিল; যথা "বিষ্ণু কৰ্ণমলোৎপত্তি মধুকৈটভ মহাবলা" ইত্যাদি। ই যেতিয়া গলি পানীৰ তলত মেদ বা পলস পেলাই দিলে তেতিয়া মাটি হল, মাটি হোৱাত পঞ্চভূত—ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম পূৰা হল। এতিয়াৰ পৰা জীৱ বা প্ৰাণীসৃষ্টি আৰম্ভ হল। পোনতে মৎস্য অৱতাৰ—মাছ, সাপ এনে পানীত থকা প্ৰাণী সৃষ্টি হল। মাছ যাবতীয় প্ৰাণীৰ আদি সৃষ্টি। এই সময়ৰ পৰা জ্ঞানৰ সঞ্চাৰ হল। পুৰাণে কয় হৰিয়ে মৎস্য অৱতাৰ ধৰি প্ৰলয় জলৰ পৰা চাৰিখন বেদ উদ্ধাৰ কৰিলে। "মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত, উদ্ধাৰিলা চাৰি বেদ প্ৰলয় জলত।" এই চাৰিখন বেদ কি? মানুহৰ সৃষ্টি বহু কল্পৰ পিছত হোৱা। তেন্তে নো এই চাৰিখন বেদ কোনে লিখি থৈছিল? বেদ মানে জ্ঞান, জ্ঞানৰ চাৰিটি শাখা যথা—"আহাৰ নিদ্ৰা ভয় মৈথুনঞ্চ সামান্যমেতৎ পশুভি নৰানাং।" মাছ জীৱই সেই সময় পোনতে প্ৰকাশ কৰিলে। মাছ সৃষ্টি হৈ আহাৰ-জ্ঞান, নিদ্ৰাজ্ঞান, প্ৰাণ ৰক্ষাৰ কাৰণে ভয়-জ্ঞান আৰু সন্তান উৎপত্তি কৰাৰ কাৰণে মৈথুন-জ্ঞান প্ৰকাশ পালে। বাস্তৱতে ভাবি চালে প্ৰাণীৰ আদি জ্ঞান এই চাৰিটি হে। এই চাৰিখন বেদ ভগৱানে প্ৰাণীৰ প্ৰাণত লেখা মৎস্য জীৱৰ দ্বাৰাই আদিতে প্ৰকাশ কৰিলে, ইয়েই যাবতীয় বেদ বা জ্ঞানৰ আদি জননী।

এতিয়া মৎস্যকল্প এৰি কূৰ্ম্মকল্পলৈ আহো। একো একো কল্প কৌটী কৌটী বছৰে হয়, তাক গণনা কৰিব নোৱাৰি। সমুদ্ৰৰ তলিত বোকা মাটি হৈছে, মাটি ওপৰলৈ উঠা নাই, এই সময়ত কূৰ্ম্ম—কাছ, বেং-ভেকুলী আদি চাৰি-ঠেঙীয়া জন্তুৱে প্ৰকাশ পালে। ইয়াকেই বোলা যায় কূৰ্ম্মকল্প।

কূৰ্ম্মকল্পৰ পিছতেই বৰাহ-কল্প। সাগৰৰ তলিৰ পৰা মাটি উঠি ঠায়ে ঠায়ে চাপৰি পৰি আহিছে, সাগৰৰ অলপ অলপ কাণ ওলাইছে কিন্তু পানী বোকাৰে ভৰা। পৃথিবীৰ এনে অৱস্থাত বৰা, হিপপটামছৰ দৰে জন্তুৰ হে বাসযোগ্য। এই কালত চাৰিঠেঙীয়া জন্তু বৰা গাহৰি, ঘৰিয়াল, কুম্ভিৰ আদি জীৱে দেখা দিলে। এই সময় পুৰাণে হিৰণ্যাক্ষ বধৰ এটি অপূৰ্ব্ব বৃত্তান্ত বৰ্ণনা কৰে। বৰাহৰূপী বিষ্ণুৱে যেতিয়া প্ৰলয় জলৰ তলৰ পৰা পৃথিবীখন দাঁতেৰে ওপৰলৈ তুলি আনে তেতিয়া হিৰণ্যাক্ষ অসুৰে বৰাহৰূপী গোসাঁইক দেখা পাই তেওঁৰে সৈতে মহাযুদ্ধ পাতে, তেতিয়া পৃথিবী বৰাহৰ দাঁতত কামুৰি ধৰা আছিল। পুৰাণ কৰ্ত্তা পণ্ডিতক স্বৰ্গীয় স্বামী দয়ানন্দ সৰস্বতীয়ে সত্যাৰ্থ প্ৰকাশত সুধিছে "যব বৰাহজীনে, হিৰণ্যাক্ষজীনে দোনো লড়াই কৰ্ত্তিথী, তব ধৰিত্ৰীজী বৰাহজীকা দাঁতপৰথী তব কাহাপৰ ঠেৰি হোকে দোনো দগলিয়া ফসদিয়া কৰকে এইছা ফসাদ লাগায়া।" এইটি বৰ হাহি উঠা কথা। ভাবি দেখিলে আচল কথাটি হৈছে সোণচকুৱা বা দহা-চকুৱা কুম্ভীৰ বা ঘৰিয়াল নাইবা তাৰিয়াল এটিয়ে, অতিপাত ডাঙৰ বৰাহটিয়ে যেতিয়া সাগৰৰ কাণত দাঁতেৰে মাটি খুচৰি আছিল সেই সময় তাক কামোৰ মাৰি ধৰিলেহি। সেই সময়ৰ বৰা ডাঙৰীয়া জানো আজিকালিৰ বৰাৰ দৰে সৰু জন্তু নাছিল? পৃথিবীৰ হোপনি শক্তি কম থকা হেতু প্ৰাণীতত্ত্ববিৎ পণ্ডিতসকলে কয় আদি সৃষ্টি যুগত জন্তু বিলাক ভয়ঙ্কৰ ডাঙৰ আছিল। তাৰ প্ৰমাণ সকলো সভ্য-জাতিৰ যাদুঘৰবিলাকত এতিয়া তাৰ হাড়, দাঁত, জকাও পৰি আছে। বৰাহ ডাঙৰীয়াও উলটি কুম্ভিৰটিক কামোৰ মাৰি ধৰি দাঁতেৰে ধৰি দাঁতেৰে ছিৰি হত্যা কৰিলে। পুৰাণে ইয়াকেই হিৰণ্যাক্ষ অসুৰ বা দৈত্যবধ পাতে।

আদি যুগত মানুহে ডাঙৰ ডাঙৰ ভয়ানক জন্তুকেই অসুৰ ধাৰণা কৰিছিল, তাৰ প্ৰমাণ পুৰাণত পোৱা যায়। সৰুচিত মন্বন্তৰত এটি অসুৰ ওলাইছিল। তাক হস্তীৰূপী বিষ্ণুৱে বধ কৰিলে। স্বৰোচিত মন্বন্তৰত এটি অসুৰক অশ্বৰূপী বিষ্ণুৱে বধ কৰিলে। এনেকৈ কোনো মন্বন্তৰত অসুৰক হংসৰূপী বিষ্ণুৱে আৰু সাৰ্ব্বনি মন্বন্তৰত হিৰণ্যাক্ষ নামে এটি অসুৰক বৰাহৰূপী বিষ্ণুৱে বধ কৰিলে ইত্যাদি ইত্যাদি। এতেকে প্ৰমাণ হয় যে জন্তুবিলাকেই

দৈত্য আৰু অসুৰ আছিল। হিৰণ্যাক্ষ আন একো নহয় "হিৰণ্যানি অক্ষিনীৰ্যস্য" তাৰিয়াল বা ঘৰিয়াল। এই গল বৰাহ কল্প। এতিয়া নৃসিংহ বা নৰসিংহ কল্পৰ কথা কওঁ।

বিবৰ্ত্তন ক্ৰিয়াৰ ৰহস্য তত্ত্ব (Zoology) প্ৰাণীতত্ত্বতেই ওলাই পৰে। মানুহ এতিয়ালৈকে সৃষ্টি হোৱা নাই কিন্তু মানুহৰ দৰে আধা-মানুহৰ আকাৰৰ জন্তু ক্ৰমবিকাশ ৰহস্যমতে প্ৰকৃতিৰ ভৰালৰ পৰা ওলাই দেখা দিছেহি। অতিকায় জন্তুবিলাক পৃথিবীত থকাৰ যোগ্য নহয় দেখি সেইবিলাক ক্ৰমে মৰি মৰি মঙহেৰে মাটি ওখ কৰি আনিলে।

এই সময় পৃথিবীত গছ-গছনি হাবিবন হৈ পৰিল। এতিয়া বামত বাস কৰা জন্তুৱে দেখা দিলেহি। মানুহ পিছলৈ হোৱা আভাস সিংহ, বাঘ, ভালুক বান্দৰ আদি আধা-মানুহ আৰু আধা-জন্তুৰ সৃষ্টি হল। সিংহৰ মুখখনি প্ৰায় মানুহৰ দৰে নহলেও তথাপি তেনে হেন দেখা যায়। এই কল্পটিয়েই নৰসিংহ কল্প। এই নৰসিংহ কল্পকে ধৰি পুৰাণে হিৰণ্যকশিপু বধ আখ্যানটি যিদৰে দেখায় অতি অসম্ভৱ কথা হেন লাগে। মানুহ সৃষ্টি নৌ হওঁতেই ক'ৰ পৰা হিৰণ্য কশিপু আৰু তেওঁৰ পুতেক প্ৰহ্লাদ আদি জন্মিল? পুৰাণে কয় ব্ৰহ্মাৰ পুতেক দক্ষ প্ৰজাপতি, দক্ষৰ পুতেক হিৰণ্য কশিপু দৈত্য, হিৰণ্য কশিপুৰ পুতেক প্ৰহ্লাদ। যেতিয়া নৃসিংহ বিষ্ণুৱে হিৰণ্য কশিপুক প্ৰহ্লাদক অত্যাচাৰৰ পৰা ৰক্ষা কৰা কাৰণে বধ কৰে, তেতিয়া প্ৰহ্লাদৰ স্তুতিত সন্তুষ্ট হৈ নৃসিংহে কলে "হে প্ৰহ্লাদ! তোমাৰ একৈশ পুৰুষ উদ্ধাৰ হৈ গল আৰু খোজা কি?" স্বামী দয়ানন্দ সৰস্বতীয়ে কয় ব্ৰহ্মাৰ পৰা (ব্ৰহ্মাৰ ঘৈণীয়েক আছিল নে কি?) প্ৰহ্লাদলৈকে তেতিয়া চাৰি পুৰুষ মাথোন। পুৰাণ কৰ্ত্তা পণ্ডিতে ক'ৰপৰা ২১ পুৰুষ উদ্ধাৰ কৰিলে? প্ৰহ্লাদ আন কোনো নহয় কেৱল অহৈতুকী ভক্তিৰ আদৰ্শ দেখোৱা কল্পনাময় মূৰ্ত্তি মাথোন। ধ্ৰুৱৰ আখ্যান হলে হেতুকী ভক্তিৰ এটি কল্পিত চিত্ৰ। ন্যায়-দৰ্শন-যুক্তিশাস্ত্ৰৰ লগত বিৰোধী কথা এটি যে হিৰণ্য কশিপুৰ চৰাঘৰটিৰ খুটাৰ পৰা প্ৰহ্লাদৰ স্তুতিত মন-পোৰণি লাগি হঠাৎ সিংহটি ওলাই পৰি হিৰণ্য কশিপুক হত্যা কৰিলে, পুৰাণ লেখকে তেতিয়া দেখা পাইছিল নে কি? পুৰাণৰ এই সোপা কথা চন্দিয়াই চালে কিটো সচা ওলাই পৰে? যাৰ ৰাজহাড়ডাল ডাঙৰ আৰু ওখ এনে এটি জন্তুক সংস্কৃত অভিধানত পোৱা যায় তাক "কশিপু" বোলে। এতেকে ই গলধন ধৰা পকামুৰীয়া মহটিতকৈ আন একো নহয়। এই হিৰণ্য কশিপু নামে মহটি বেলি মাৰ যাবৰ সময় যেতিয়া নৈত পানী খাবলৈ গৈছিল তেতিয়া সিংহে ধৰি তাক বধ কৰি খায়। সিংহে চোকা নখেৰে ছিৰি তাৰ নাড়ী-ভুৰু পৰ্য্যন্ত উলিয়াই পেলোৱা পুৰাণৰ কথা মিলে। শাক্তৰ চণ্ডীপুৰাণৰ মহিষাসুৰ বধ বৃত্তান্ত, বৈষ্ণৱৰ বিষ্ণুৰ দশ অৱতাৰ ব্যাখ্যা পুৰাণেৰে সৈতে হিৰণ্য কশিপু বধ মিলি যায়। শাক্তে বোলে চণ্ডী ভগৱতী ডাঙৰ, তেৱেঁই হে সৃষ্টিকৰ্ত্ৰী। বৈষ্ণৱে কয় বিষ্ণু বৰ, বিষ্ণুহে আদি। বোধে ধৰে শাক্ত বৈষ্ণৱৰ কাজিয়াৰ পৰা বাদানুবাদ লাগি বৈষ্ণৱে হৰিৰ দশ অৱতাৰ গঢ়িলে। শাক্তে তাকে চাই ভগৱতীৰ দশ মহাবিদ্যা কৰিলে হবলা। যথা—"কালী, তাৰা মহাবিদ্যা, ষোড়শী, ভুবনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তাশ্চ, বিদ্যাধুমাৱতী স্তথা মাতঙ্গী, কমলা, বগলামুখী ইত্যাদি।" শাক্ত, শৈৱ আৰু বৈষ্ণৱৰ পৰাই সম্ভৱতঃ বহু পুৰাণৰ সৃষ্টি হল। এক প্ৰকাৰে চাবলৈ গলে পুৰাণবিলাকৰ গল্পৰ ছলেৰে অজ্ঞান মানুহক ধৰ্ম্মৰ ফালে মন টানি ধৰ্ম্ম শিক্ষা দিয়া অভিপ্ৰায় আছিল, যেনেকৈ লৰা ছাত্ৰবিলাকক পণ্ডিতে পশু-পক্ষীৰ নানা গল্পপূৰ্ণ কিতাপবিলাক পঢ়াই পঢ়াৰ ফালে মন আকৰ্ষণ কৰে। কিছু পিছত পুৰাণহে ধৰ্ম্মশাস্ত্ৰ হল। এতিয়া নৃসিংহ কল্পৰ পিছত বামন কল্পলৈ আহো।

বামন কল্প—কটীয়া বাওনা মানুহে পৃথিবীত দেখা দিয়া কল্প। বিবৰ্ত্তন ক্ৰিয়াৰ ৰহস্যতত্ত্ব বুজা বৰ টান কথা। বিশ্বখনিকৰজনৰ অভিপ্ৰায় দেখিলে তধা নমৰাকৈ একো ধুকি নাপায়। অতি আগতে যে দীঘল ডাঙৰ ভয়ানক জন্তুবিলাক জন্মিছিল, সেইবিলাক পৃথিবীত খিলঞ্জীয়া হৈ থকাৰ যোগ্য নহয়। সেইবিলাক মৰি মৰি পচি তাৰ হাড় মঙহেৰে ক্ৰমে মাটি ওখ কৰি অনা গৰাকীজনৰ অভিপ্ৰায়। ভগৱানৰ অংশ স্বৰূপ মানুহ তেওঁৰ গৌৰৱ আৰু জ্ঞানৰ চিনাকী দিয়াৰ কাৰণে চিৰকাল পৃথিবীত থকা

প্ৰাণী। এই হেতুকে একেবাৰে ভয়ঙ্কৰ আকাৰৰ মানুহে পোনতে পৃথিবীত দেখা নিদি এয়ে জোখ মতে ডাঙৰ দীঘল হোৱা অভিপ্ৰায়ে পোনতেবাওনা মানুহৰ উৎপত্তি হল। পুৰাণেও বালিখিন্ন ঋষি নাম দি এবিধ বাওনা মানুহৰ বিবৰণ উল্লেখ কৰা পোৱা যায়। এয়ে বামন কল্প। এই বামন কল্পকে ধৰি পুৰাণত গছত গৰু উঠা হোলোঙাবে কাণ খজুৱা দৰে এটি অসম্ভৱ বৃত্তান্তৰ বৰ্ণনা পোৱা যায়। সেইটি হৈছে বলিছলন। বলিছলন সম্পৰ্কে পুৰাণৰ আখ্যান হৈছে, বলি নামে এজন দৈত্যৰাজা আছিল। তেওঁ এনে প্ৰতাপী হৈ উঠিছিল যে তেওঁৰ ভয়ত দেৱতাবিলাক অস্থিৰ হৈ পৰিছিল, ইন্দ্ৰদেৱৰাজাৰ সিংহাসন কঁপি উঠিল। কোন দিন ইন্দ্ৰৰ ৰাজত্ব বলিয়ে ভাঙি নিজে ইন্দ্ৰৰজা হয় তাৰ ঠিক নাই। ইয়াতে ইন্দ্ৰৰ মাক অদিতিৰ মনত বৰ চিন্তা হৈ বিষ্ণুক আৰাধনা কৰিব ধৰিলে। বিষ্ণুয়ে তেওঁৰ স্তুতিত সন্তুষ্ট হৈ কলে যে তেওঁ নিৰ্ভয় হওক। বিষ্ণু তেওঁৰ গৰ্ভত স্থিতি হৈ ব্ৰাহ্মণ সন্তানৰূপে জন্ম গ্ৰহণ কৰি ইন্দ্ৰৰ ৰাজত্ব উদ্ধাৰ কৰিব। এইমতে তেওঁ অদিতিৰ গৰ্ভৰ পৰা জন্ম লৈ কিছু বছৰ পিছত বাওনা বটুবাপুৱে লগুণ লৈ বলি ৰজাৰ ওচৰত গৈ তেওঁক দান খুজিলে। কি দান লাগে বুলি বলিয়ে সোধাত বটুবাপুৱে কলে যে তেওঁক তিনি পদ মাথোন ভূমি লাগে। বলিয়ে হাহি তথাস্তু বুলিলে। পিছে তিনি পদ ভূমিদান এনেটি হে হৈ পৰিল যে যেতিয়া বটুব্ৰাহ্মণৰূপী বিষ্ণুয়ে আকাশ লঙা ভয়ানক মূৰ্ত্তি ধৰি মাটি জোখ আৰম্ভ কৰি এপদ পৃথিবীত, এপদ পাতালত দিলে আৰু এপদ দিবলৈ ঠাই নাইকিয়া হল তেতিয়া বলিক বাপুৱে সুধিলে আৰু এপদ ভূমি তেওঁ ক'ত দিয়ে। বলিয়ে ঠাই নাপাই নিজৰ মুৰটিকে পাতি দিলে। তেতিয়া বিষ্ণুৰূপী বাওনা ব্ৰাহ্মণ সন্তুষ্ট হৈ বলিক পাতালত থাকিবলৈ আদেশ দিলে। পুৰাণৰ এই গল্পটি হৈছে ব্ৰাহ্মণক দান দিয়া আৰু ব্ৰাহ্মণক ডাঙৰ কৰা ইয়াৰ বাহু সোপা ওচাই সাহটি উলিয়াই চালে এনেটিহে দেখি যে বলি মানে বধ যজ্ঞ, যি জন্তুক বধ কৰিবলৈ ধৰা যায় তাকেই বলি বোলে। মানুহ সৃষ্টিত দেখা দিয়াৰ প্ৰথম অৱস্থাত অসভ্য নাঙত মানুহবিলাক বৰ কটীয়া (Pigmy) আছিল। এই কটীয়া মানুহবিলাকত পোনতে বুদ্ধিয়ে থিতাপি লোৱাত সিহঁতে জন্তু ঘোৱা বাট বা দণ্ডীত গাঁত খানি খানি তাত ছল কৰি পেলাই জন্তুবিলাক মাৰি মাৰি খাইছিল। ছল কৰি গাঁতত জন্তুবিলাক পেলাই মাৰি মাৰি খোৱা কামেই হল বলি ছলন।

এক প্ৰকাৰে পুৰাণে সঁচা কথাকেই কৈছে, বলিয়ে গাঁতত পৰা সময় পোনতে এপদ দিওঁতে সিপেলা দিলে; পিছে বাধ্য হৈ আটাই কেউপদ দি গাঁতত পৰিল—পাতাল সোমাল উলট ভৰি তুলি ওপৰলৈ উঠিব নোৱাৰি গাঁতত মুৰটিকে পাতি দিলে।

পাঠকপাঠিকাসকলে দেখে গমি দেখক পুৰাণে বলি ছলনৰ দ্বাৰাই সত্যং শিবং সুন্দৰম্ পূৰ্ণম অপাপবিদ্ধম্ ভগৱানৰ কেনে আদৰ্শ দেখাইছে! ভগৱান যেন প্ৰৱঞ্চক ছলী, কপটী আৰু ভণ্ড।



চীন-জাপানৰ যুদ্ধ—



চীনা চিপাহী



উত্তৰ পশ্চিম মাঞ্চুৰিয়াৰ শিন্সিংহাৰ নগৰ চীনা চিপাহীবিলাকে অবৰোধ কৰিছে



খাংহাইত চীনা নেতা এগৰাকীয়ে জাপানৰ বিৰুদ্ধে বয়কট আন্দোলন চলাবলৈ জনসাধাৰণক উত্তেজিত কৰি বক্তৃতা দিব লাগিছে



জাপানী চিপাহীবিলাকে মুকডেন অবৰোধ কৰিছে



মুকডেনৰ ৰাজ-আলিত জাপানী চিপাহীবিলাকে জিৰণি লৈছে



জাপানী সেনাই ধ্বংস কৰাৰ পিছত মুকডেন

উকীলৰ আপদ

গল্প—

—শ্ৰীযুত মহীচন্দ্ৰ বৰা, বি-এল

যুতিকা নাটক নভেল কাব্য পঢ়া আৰু গান-বাজনা জনা ছোৱালী। গতিকে আধুনিক ধৰণে শিক্ষিতা। দোষৰ ভিতৰত তেওঁৰ এইফেৰাই যে তেওঁ অলপ ভাবপ্ৰবণ।

বাপেক তেওঁৰ ধনকুবেৰ। গতিকে যুতিকাৰ দৰাৰ কাৰণে পোন-প্ৰথমতে তেওঁ হাকিম মঞ্চুপ আদি বৰ-মূৰীয়া বিষয়ী লোকত চকু দিলে। তাত নিৰাশ হৈ তেওঁৰ চকু চবডেপুটী কলেক্টৰ আদিলৈকে নামিল। কিন্তু বিয়াৰ বৰশীত তেনে লোকো নপৰিল।

উকীলৰ ওপৰত তেওঁৰ জন্মগত এটা ক্ৰোধ আছিল। এবাৰ হেনো আদালতত কোনোবা এজন উকীল-সাপে তেওঁক খুটিছিল। তাতে আজিকালি বিয়াৰ বজাৰত হাকিম মঞ্চুপ চবডেপুটী আদিতকৈ যে উকীলৰ মূল্য কম তাক তেওঁ ভালকৈয়ে বুজিছিল।

ইফালে কিন্তু যুতিকা জিওমেট্ৰিকেল প্ৰোগেছনমতে দপ্-দপ্ কৰে বাঢ়ি উঠিল। ঘৈণীয়েকৰ উচপিচনিত তিষ্ঠিব নোৱাৰি উপায়বিহীন হৈ অগত্যা তেওঁ জীয়েক যুতিকাক উকিল প্ৰিয়কান্তকেই গঁতাই দিলে।

প্ৰিয়কান্ত ডেকা উকীল। আজি মাথোন দুমাহ হৈছে ওকালতি ব্যৱসায় আৰম্ভ কৰিছে। কিন্তু এতিয়ালৈকে কছাৰীৰ চাৰিচুকৰ এটা চুকো ভালকৈ চিনিব পৰা হোৱা নাই এথোন।

ঘৰত মাকৰ বাহিৰে প্ৰিয়কান্তৰ আপোন কোনো নাছিল। বাপেকে তেওঁলৈ অলপ টকা-সিকা থৈছিল। গতিকে ওকালতিত পইছাৰ মুখ এতিয়ালৈকে নেদেখিলেও কাৰো ওচৰত হাত পাতিব নলগাকৈয়ে দিন নিয়াব পাৰিছিল। সঙ্গীতত তেওঁৰো বাপ আছিল।

বিয়াৰ পিছত প্ৰিয়কান্ত আৰু যতিকাৰ কাব্য সঙ্গীতৰ মাজেদিয়েই সৰল স্বচ্ছ প্ৰণয়ৰ মোহময় আৱেশত ধৰিব নোৱাৰাকৈয়ে দিন যাবলৈ ধৰিলে।

• • •

বিয়াৰ এমাহমানৰ পিছতেই কিন্তু এটা অথন্তৰ মিলিল। বিপদ-ধুমুহা কেতিয়া কাৰ মূৰৰ ওপৰেদি কিভাৱে আহি বৈ যায় তাক অৱশ্যে ধৰা কঠিন।

মোক্কেল আৰু মোকৰ্দ্দমাবিহীন উকীল প্ৰিয়কান্তৰ ৰাতিপুৱা ন বজালৈকে শোৱাৰ অভ্যাস।

এদিন ৰাতিপুৱা তেওঁৰ "বয়" আহি বিছনাতে জনালে মোক্কেলে আহি তেওঁক বিচাৰিছে বুলি।

প্ৰিয়কান্তৰ বিশ্বাস নহল। আজি ইমান দিনে তেওঁহে মোক্কেল বিচাৰি হাবাথুৰি খাই ফুৰিছিল—এতিয়া যে কোনো মোক্কেলে তেওঁক বিচাৰি তেওঁৰ ঘৰলৈকে অনুগ্ৰহ কৰি আহিব তাত তেওঁৰ সন্দেহ হোৱাটো স্বাভাৱিক। তেওঁৰ সন্দেহ হল—কোনোবা উকীলক বিচাৰি ঘৰ ভুল কৰি তেওঁৰ ঘৰত কাৰোবাৰ মোক্কেল উপস্থিত হোৱা বুলি।

"বয় !"

"দেউতা !"

"হেৰ ভালকৈ সুধিছিলি নে ?"

"সুধিছিলোঁ দেউতা ! কলে 'দেউতাৰক কগৈ গেন্ধাই গাওঁবুঢ়া আহিছে বুলি'।" প্ৰিয়কান্তৰ দুপইছা পোৱাৰ আশাত মুখখনি অলপ জিলিকিছিল যদিও এতিয়া গেন্ধাই গাওঁবুঢ়াৰ আগমন শুনি নিৰাশ হল। তেওঁ তেওঁৰ দেউতাক পেন্ধাৰ কামত থাকোঁতেই মাজে-সময়ে গেন্ধাইক তেওঁলোকৰ ঘৰলৈ অহা দেখিছিল।

কোনোমতে উঠি হাত-মুখ ধুই প্ৰিয়কান্ত বাহিৰ ওলাল। গাওঁবুঢ়াই উঠি এটা সেৱা জনালে।

"বহা, গাওঁবুঢ়া, বহা। ঘৰত ভাল নে ?"

"হৈছে, এৰাসবৰ কৃপাত সম্প্ৰতিক সকলোটিৰে মঙ্গল। দেউতাৰ পিতৃপুৰুষ ঢুকাবৰ পৰাই এইফালে আৰু ভুমুকি মাৰিব পৰা নাছিলোঁ। এই বন্দীলৈ তেখেতৰ মৰমৰ ধাৰ এই জন্মত শুজিব নোৱাৰো। আৰ-তাৰ মুখে শুনিলো দেউতাই ওকালতি পাছ কৰি উকীল হৈছে বুলি। ভাবিলোঁ দেউতাক এবাৰ দেখা দি আহোঁ। তাতে এই বুঢ়ীৰ এটা ডাঙৰ লেঠা লাগিছে। দেউতাই বুধি পৰামৰ্শ দি এই বিপদত বুঢ়ীক নাৰাখিলে আৰু নহৈছে।"

"কথা কি ?"

"কথা ডাঙৰেই দেউতা! আগতে এইখন পঢ়ি লওক" বুলি চোলাৰ মোনাৰ পৰা এখনি কাকত উলিয়াই গাওঁবুঢ়াই প্ৰিয়কান্তৰ হাতত দিলে। প্ৰিয়কান্তই কাকত খনি মেলি লৈ পঢ়ি বুজিলে ই এখন অলপ লেখা-পঢ়া জনা গাৱঁলীয়া জীয়াৰীৰ প্ৰেম-পত্ৰ। তাত আছিল—

"প্ৰিয় মোৰ!

আজি এমাহে আপোনাক নেদেখি যে মোৰ মন কেনেকৈ চাটি-ফুটি কৰিছে তাক নেদেখাজনে দেখিছে। আপুনি ইমান নিষ্ঠুৰ হব বুলি মই ভবাই নাছিলো। সিদিনা আপোনাৰ নতুন ছোৱালীক চালোগৈ। ভালেই হৈছে। কিন্তু মোক নাপাহৰে যেন এয়েই মিনতি। দিনে এবাৰ মাথোন আপোনাক দেখা পাবৰ আশাৰে বাট চাই থাকিম।

আপুনি মোক কাহানিবাই দিয়া পৃথ্বীৰাজ নাটখনি কালি আকৌ উলিয়াই পঢ়িলোঁ! আপুনিয়েই মোৰ পৃথ্বীৰাজ। আপুনি হাঁহি হাঁহি মোক দিয়া সেই আদৰুৱা সংযুক্তা নামটি সদায় মোৰ কাণত বাজি থাকে।

আপোনাৰেই—সংযুক্তা।"

"এই সংযুক্তা কোন গাওঁবুঢ়া ?"

"এই বুঢ়ীৰে ছোৱালী। গাৱঁৰ স্কুলতে পঢ়ি শুনি তাই এতিয়া এইবোৰ কামত ধৰিছে। মনে মনে চিঠি চলাইছে। আচল নাম তাইৰ মালিতা।" এইবোৰ কি পিথ্বীৰাজ পাইছে কি সংযুতা হৈছে আমাৰ নিচিনা অমূৰুখে কি বুজিম দেউতা!"

"বুজিছোঁ গাওঁবুঢ়া. পিছে কালৈ এই চিঠি চলাইছিল ?"

"আমাৰ গাৱঁৰে সেই কুকৰধূলি মনোহৰ মণ্ডললৈ। সি নাৰকীয়ে, আজি এমাহ হৈছে, এজনী পলুৱাই আনি ঘৰ সুমুৱাইছেহি। পৰহি ৰাতি আকৌ সি নিশা এই বুঢ়ীৰ চোঁতাললৈ আহি জোপা লৈ আছিল হবলা। বুঢ়ী খাই বৈ উঠি জীয়েক মালতীক লৈ শুইছিল। অলপ পিছতে দুৱাৰখন কেৰেক কৰাৰ শবদ শুনি সাৰ পাই দেখে মালতী নাই। বাহিৰ ওলাই মালতীয়ে মনোহৰৰ হাতত এইখন দিবলৈ ধৰোতে বুঢ়ীয়ে দেখা পাই 'চোৰ ঔ! চোৰ ঔ!' বুলি চিঞৰাত মনোহৰ লৰ মাৰি সাৰিল। মালতীৰ হাতৰ পৰা এইখন পৰি গল। ৰাতিয়েই বুঢ়ী আহি কান্দি-কাটি মোক ধৰিলে এটা উপায় দিব লাগে বুলি। কলো—বাৰু জিলালৈ বলা। উকীল-মোক্তাৰৰ পৰামৰ্শ লৈ যি হয় এটা কৰিব লাগিব।"

"দেখিছোঁ বুঢ়ীৰ জীয়েকৰ গাতেই দেখোঁ দোষ। তাইৰ বয়স কিমান ?"

"হৈছে দেউতা, এনেজনী নিলাজী নাককাটী আৰু নাই। মনোহৰ মনোহৰকৈ তাই পাগল। বয়সত বুঢ়ীয়ে হৈছে বুলি ধৰক। তিৰোতাৰ কুৰি হলেই বুঢ়ী বুলি কয়।"

"পিছে তালৈকে দিলে দেখোন লেঠা মৰে।"

"ময়ো বুঢ়ীক তাকেই কৈছিলো—কিন্তু মনোহৰৰ নাম শুনিলেই বুঢ়ী জাপ মাৰি উঠে। বুঢ়ীৰ এই নাককাটীৰ বাহিৰে কেও-কিছু নাই। বুঢ়ীৰ মন—তাইলৈ ঘৰতে এটা চপাই ৰাখে।"

"বুজিলো; এইটো নো কি মোকৰ্দ্দমা হব ?"

"আপুনি যেনেতেনে মনোহৰৰ নামে এখন চমন বাহিৰ কৰি দিয়ক। সিফালে মই বলে পাৰিম। বাঁৰী-দুখুনী মানুহ—কোনোমতে দেউতাৰ কাৰণে এই ৰূপটকি এমোণ ধান বেচি আনিছে" বুলি গাওঁবুঢ়াই তেওঁৰ মোনাৰ পৰাই এটকি বাহিৰ কৰি প্ৰিয়কান্তৰ হাতত দিলে।

কথাৰ ইমান মৰণা মাৰি মাথোন এটকাৰূপ লাভ হোৱা দেখি প্ৰিয়কান্তৰ মুখ ক'লা পৰিল। কলে—"কথাটো জটিল, অনেক আইন-কানুন চাব লাগিব।"

"হৈছে দেউতা, বেঙেনাবাৰী, কই থওক মথোন, ছিঙি থাকিবলৈ পাব। বন্দীৰ হাতত মামলা-মকতমা থাকে—এতিয়াৰ পৰা দেউতাৰ বাহিৰে আৰু কাৰ ওচৰলৈ যাম ?"

ভৱিষ্যতে মোক্কেলপ্ৰাপ্তিৰ আগন্তুকেও যেতিয়া প্ৰিয়কান্তৰ মুখ উজ্জ্বল কৰিব নোৱাৰিলে তেতিয়া গাওঁবুঢ়াই "চাওঁ খুৰী, বাটৰ খৰছৰ কাৰণে ৰখা টকাটোও দেউতাক দিয়া। দেউতাৰ মনত কষ্ট দি কাম কৰোৱা ভাল নহয়" বুলি বুঢ়ীৰ পৰা আৰু এটকি ৰূপ লৈ প্ৰিয়কান্তৰ হাতত দিলে।

প্ৰিয়কান্তই আইনৰ ডাঙৰ ডাঙৰ কিতাপবোৰ ঘাটি-ঘুটি ৰাতি বিনাহুকুমে বুঢ়ীৰ ঘৰৰ চোঁতালত উপস্থিত হৈ বুঢ়ীৰ অশান্তিৰ কাৰণ হোৱা বুলি দণ্ডবিধি আইনৰ ৪৫২ ধাৰাৰ এক মোকৰ্দ্দমা দাখিল কৰিলে। কিন্তু হাকিমে, প্ৰিয়কান্তই অনেক নজিৰ দেখুৱা সত্বেও, মনোহৰৰ ওপৰত চমনৰ হুকুম দিয়া দূৰত থাওক বৰং পাকে-প্ৰকাৰে প্ৰিয়কান্তক আগলৈ সাৱধান হৈ দুখীয়াৰ পইছা মিছাতে খৰছ নকৰি চাই-চিন্তি মোকৰ্দ্দমা দাখিল কৰিবলৈ উপদেশ দি বুঢ়ীৰ মোকৰ্দ্দমা ডিছমিছ কৰিলে।

প্ৰথম মোকৰ্দ্দমাৰ পৰিণতি দেখি প্ৰিয়কান্তই হাঁহিবই নে কান্দিব ঠিক কৰিব নোৱাৰিলে। কিছুপৰ টভক মাৰি বৈ বুঢ়ী আৰু গাওঁবুঢ়াক আঁতৰলৈ মাতি নি প্ৰবোধ দি কলে—সাদিনমানৰ মূৰত আকৌ এবাৰ আহিবা। হাকিমৰ হুকুম একেবাৰেই বে-আইনী হৈছে। বৰ চাহাবৰ ওচৰত আপীল দাখিল কৰিম।

বুঢ়ী আৰু গাওঁবুঢ়াক বিদায় দি বাৰ-লাইব্ৰেৰীত সোমাই প্ৰিয়কান্তই হুলস্থুল লগাই দিলে। ডেকা উকীল সকলে আজিকালিৰ হাকিমবিলাকৰ মনোভাবৰ তীব্ৰ প্ৰতিবাদ কৰিলে। বুঢ়া উকীলসকলৰ ভিতৰৰ এজনে হাকিমে প্ৰিয়কান্তৰ মোকৰ্দ্দমা ডিছমিছ কৰা আইনসঙ্গত হৈছে বুলি মন্তব্য প্ৰকাশ কৰিলে।

বাৰ-লাইব্ৰেৰীৰ মোকৰ্দ্দমা নথকা উকীলসকলৰ কথা বতৰা উপভোগ কৰিব লগীয়া। তাত থিয়েটাৰ পতা, ফুটবল খেলাৰ পৰা আৰম্ভ কৰি আইন-অমান্য আন্দোলন, কমুনেল প্ৰব্লেম্, ৰাউণ্ড টেবোল কন্‌ফাৰেন্স আদিৰ সান-মিহলিয়ে শুনোতাৰ মনত আনন্দ নিদিয়াকৈ নাথাকে।

সান-মিহলি কথাৰ ভিতৰত এবাৰ কথা উঠিল—বৰ্ত্তমান অসমীয়াৰ ষ্টেজৰ অৱস্থা। ডেকা উকীলসকলে তাত ভালকৈয়ে যোগ দিলে। লক্ষ্মীকান্তই আৰুবেলি পূজাত আফজল খাঁৰ ভাও লৈ শিবাজীৰ বাঘনখৰ আক্ৰমণত পতন হৈ কেনেকৈ পৰি গৈছিল আৰু দৰ্শকসকলৰ "এঙ্কৰ, এঙ্কৰ" ধ্বনিত আকৌ গিৰিসাই উঠি কেনেকৈ দ্বিতীয়বাৰ পতনৰ অভিনয় কৰিলে তাৰ কথা কৈ খুহতীয়া ডেকা উকীল এজনে ভালকৈয়ে হঁহুৱালে। এজনে—উকীল চন্দ্ৰকান্তই—শ্ৰীৰামচন্দ্ৰৰ অভিনয়ত হাতত কুঠাৰ, মূৰত জটা, ওঠত গোফ, গালত গালপতা আৰু থুতৰিত দীঘলীয় ডাঢ়ি লৈ পৰশুৰামৰ ভূমিকাত চকুত পাক দি কেনেকৈ গৰ্জ্জনি মাৰি ওলাই দৰ্শকসকলক তবধ কৰিছিল, কেনেকৈ তেওঁৰেই বৰটি লৰাই তেওঁৰ মূৰ্ত্তি দেখি চুৰ্ত্তি হেৰুৱাই মা-মাকৈ কান্দি উঠিছিল আৰু মাকে কেনেকৈ 'নাকান্দিবি, বাপেৰহে সেইজন' বুলি প্ৰবোধ দি নিচুকাব লগা হৈছিল এই বিষয়ে ভাব-ভঙ্গীৰে কৈ হাঁহিৰ খলকনি তুলিলে। এনে ধৰণৰ আলোচনা চলি থাকোঁতে এজনে উকীলসকলে দোলযাত্ৰাত এটা থিয়েটাৰ পতা উচিত বুলি প্ৰস্তাৱ তুলিলে। নানা তৰ্কবিতৰ্কৰ পিছত উকীল প্ৰিয়কান্তই নতুনকৈ বঙ্গলুৱা ঠাঁচত লিখা ড্ৰামেটিক এফেক্টেৰে ভৰপূৰ ঐতিহাসিক পঞ্চাঙ্ক নাটক 'পৃথ্বীৰাজ' অভিনয় পাতিবলৈ আৰু সেইদিনাই ভাৱৰীয়া বাছি ৰিহাৰ্শ্বেল দিবলৈ নতুনকৈ সজা ৰঙ্গমঞ্চত সকলোটি উপস্থিত হবলৈ থিৰ কৰি অনেকে শুদাহাতেৰে ঘৰাঘৰি গল।

• • •

মনোহৰ মণ্ডল গাৱঁৰ ৰজা। ইংৰাজী স্কুলত বগুৱা বাই কোনোমতে দুটা শ্ৰেণীলৈ উঠি ঠেহ পাতি আৰু সুধাওঁ বুলি শিপা মেলিবৰ উপক্ৰম কৰাত সৰস্বতীয়ে প্ৰমাদ গণি চকুপোৰা শিক্ষকৰ হতুৱাই যেতিয়া খেদি পঠালে তেতিয়া মনোহৰে অলপো বেজাৰ নকৰি নতুন উৎসাহেৰে নতুন উদ্যমেৰে গাৱঁত থিয়েটাৰ-যাত্ৰা পতা কাৰ্য্যত নিতান্ত মনোযোগেৰে লাগি গল! সেই অঞ্চলৰ চৰডেপুটীজনো আছিল যাত্ৰা-থিয়েটাৰ বুলিলে উতলা। মনোহৰ চৰডেপুটীৰ চকুত পৰিল আৰু এবছৰৰ ভিতৰতেই মৈমনসিঙ্গীয়াক

নতুনকৈ বহুৱাই জমি পত্তন কৰা কামত মনোহৰ মণ্ডল মকৰল হল। দুবছৰৰ ভিতৰতে মণ্ডলৰ চেহেৰা বদলি গল। ঘৰবোৰ বগা হৈ পৰিল। মনোহৰৰ সাজ-কাচনে, মনোহৰৰ চলন-ফুৰণে আৰু নাকৰ বেলেন্স ৰক্ষা কৰা বাটাৰফ্লাই কাটৰ অৰ্থাৎ পখিলা গোঁফে গাৱঁৰ অনেক ছোৱালীৰ মূৰ ঘূৰাই দিলে।

মালিতা গাৱঁৰ ছোৱালী। গাৱঁৰ স্কুলত লিখা-পঢ়াও অলপ শিকিছিল। গতিকে ৰিহা-মেখেলা এৰি চেমিজ ব্লাউজ সাড়ীত ধৰিছিল আৰু বেকা সেওঁতা ফালি বেণী গুথি চুলি কঁকালত পেলাইছিল। মণ্ডল মনোহৰৰ চকু মালিতাৰ ওপৰত পৰিল। দুয়োৰো ভিতৰত চিঠিৰ আদান প্ৰদান হবলৈ ধৰিলে।

মালিতাৰ মাকে কথা বেয়া দেখি আৰু গাৱঁত এই বিষয়ে ফু-ফু ফা-ফা হোৱা দেখি এদিন মণ্ডলক বৰ টান কথাৰেই তেওঁলোকৰ ঘৰৰ ফালে মুখ নকৰিবলৈ সাৱধান কৰি দিলে। মণ্ডলে মণ্ডলৰ ক্ষমতা জাহিৰ কৰিবৰ আৰু মালিতাৰ মাকৰ ওপৰত হোৰ তুলিবৰ মনেৰে তাৰ দুদিনৰ ভিতৰতে গাৱঁৰে এক সুন্দৰীক ৰাতি হৰণ কৰি আনিলে।

অসমৰ গাৱেঁ-ভূঞে কত পৃথ্বীৰাজ, কিমান সংযুক্তাৰ যে জন্ম তাৰ ঠিকনা নাই। পঞ্চদশ শতাব্দিত পৃথ্বীৰাজে কেনেকৈ হৰণ কৰি নিলে, ইতিহাসে গৌৰৱেৰে সেই ৰোমাঞ্চকৰ কাহিনী অদ্যাপিও বুকুত ধাৰণ কৰি আহিছে। কিন্তু কি পৰিতাপৰ বিষয় কৃষ্ণসোহাগিনী ৰুক্মিণীৰ দেশৰ কুৰি শতিকাৰ অজ্ঞাত আৰু নিন্দিত বীৰ পৃথ্বীৰাজ আৰু সংযুক্তা সুন্দৰীসকলৰ প্ৰেমকাহিনীবোৰ কোনো অসমীয়া লিখকৰ তুলিকাত এতিয়ালৈকে নুঠিল।

* * *

ভাতপানী খাই গালে-মুখে এসোপা পাউডাৰ ঘহি সেওঁতা ফালি অলপ জিৰাবৰ মনেৰে যুতিকাই হাতত 'আৱাহন'খনি লৈ বিছনাত পৰি তাৰ দুখিলামান পাত লুটিয়াইছিল মাথোন এনেতে মোলানী বাই'আই আছেনে?' বুলি ভিতৰলৈ সোমাই আহিল আৰু নিজেই এডুখৰি পীৰা পাৰি যুতিকাৰ ওচৰত বহি পৰিল।

"বিধতাই ভাল জোৰ লগাই থৈছিল দেহি! উকীলনী আইদেৱে ঘৰখন পোহৰ কৰি পেলালেহি। মই উকীল বোপাৰ মাকক তেতিয়াই কৈছিলো নহয় বোপাৰ জোৰৰ ছোৱালী নলিনী নহয় বুলি।"

যতিকাৰ কৌতুহল জন্মিল, সুধিলে—"নলিনী কোন বাই?"

"এ-আইদেৱে নলিনীৰ কথা এতিয়ালৈকে একো জনাই নাই। দেহি নিচেই আজলী।" এই বুলি ইফালে সিফালে সন্তৰ্পণে চাই শাহুৱেক ঘৰত নাই বুলি যুতিকাৰ পৰা জানি লৈ মাতটো অলপ সৰু কৰি কলে—"কিয়, নলিনী আমাৰ লক্ষ্মী বোপাৰ ভনীয়েক নহয়? সেই নলিনীৰ লগতে আমাৰ উকীল বোপাৰ বিয়া ঠিকেই হৈছিল আইদেও। বিয়াৰ আগতে নলিনী-নলিনীকৈ আমাৰ উকীল বোপা একৰকম বলিয়াই হৈছিল; দিনে-ৰাতি বোপাই নলিনীহঁতৰ ঘৰত পেট পেলাই পৰি পৰি আছিল। নলিনীৰ থুৰীয়া তামোলে, নলিনীৰ চাহ-জলপানে বোপাক উতলা কৰি পেলাইছিল।"

যুতিকাৰ অভিমানত আঘাত পৰিল। হিয়াৰ কোনোবা এডাল তাঁৰ অজ্ঞাতে কঁপি উঠিল। উত্তেজনাত মুখখন ৰঙা পৰিল, সুধিলে—"পিছে?"

"পিছে নলিনী আইদেওৰ মাকে মোক এদিন মাতি নি কলে—'বাই, নলিনীৰ এটা গতি লগোৱা। প্ৰিয়কান্ত বোপাৰ তো আপত্তি নায়েই। মোৰ সাহ নহয়। তুমিয়েই গৈ এবাৰ পাকে-প্ৰকাৰে মাকত কথাটো উলিয়াবাগৈ। যদি তেওঁৰ মন ঘূৰাব পাৰা তেনেহলে তোমাক যি লাগে মই তাকেই দিম।' মই কিন্তু মোলানীহে; মই জানো বুঢ়ীক চিনি নাপাওঁ? দিয়ন-থোৱনত এনেজনী বান্ধকানি আৰু নাই। এনেতে শুনিলো আইদেওৰ কথা। এই বেটী নিছলীহে—কিন্তু নিছলীৰ কথা আয়ে পেলাব নোৱাৰিলে। কলোঁ, 'আই সোনকালে বিয়াখন পাতক, নলিনীৰ গৰাহৰ পৰা বোপাক আঁতৰাই আনক।' মোৰ কথাকে আয়ে শিলৰ ৰেখ বুলি ধৰিলে।"

অলপ পৰ নিতাল মাৰি যুতিকাই যৌতুকত অনা বয়বস্তুবোৰলৈ চকু ঘূৰাই মোলানীয়ে পুনৰ মুখ মেলিলে—"মই তেতিয়াই আইক নকৈছিলোঁ বয়বস্তুৰে ঘৰ ভৰি

পৰিবহি বুলি। ডাঙৰ লোকৰ ডাঙৰ ঘৰৰ জীয়াৰী। কোনজনী বোৱাৰীয়ে ইমানবোৰ বয়বস্তু লগত আনিব পাৰিছে? কালি এইফালে ফুৰিবলৈ আহি বাটতে নলিনীৰ মাকক পালোঁ। মাকে মোক তেওঁৰ ঘৰলৈ নিনিয়াকৈ নেৰিলে। ঘৰ পাওঁতেই সুধিলে—'মোলানী বাই! প্ৰিয়কান্তৰ নছোৱালী কেনে দেখিলা?' কলোঁ—'তেজে-কুৰে, গঢ়নে-পিতনে সাক্ষাৎ লখিমী পতিমা। এই অঞ্চলত আইদেউৰ নিচিনা ছোৱালী, বুঢ়ী হলোঁহি, দেখাই নাই।' নলিনীৰ মাকৰ মুখখন কেহেৰাজ বটা যেন হল। হুমুনিয়াহ কাঢ়ি কলে—'নহলে নো প্ৰিয়কান্তই বিয়াৰ পিছৰ পৰাই এইফালে মুখকে নকৰা হয় নে?' নলিনীৰ খুৰীয়েকে আহি সুধিলে—'বাই, শুনিছোঁ বোলে বয়বস্তু এতিয়াও আহিবই লাগিছে?' 'আহিবই লাগিছে কি? আহিয়েই থাকিব—চৈধ্য-পোন্ধৰটা বাকছত কাপোৰ-কানি, পাচছটা কাঠৰ বাকছত বাচন-বৰ্ত্তন, চাৰি পাচখন পালেং, দহ বাৰখন গাড়ীত চকী-মেজ,—দুশভৰি সোণৰ গহনা-পাতি, হেজাৰ বাৰশ টকা কোনজনী বোৱাৰীয়ে যৌতুকত আনিছিল? প্ৰিয় বোপাই এতিয়া ভৰিৰ ওপৰত ভৰি তুলি আইদেৱে অনা ধন-সোণকে চলাই থাওক মাথোন।' নলিনী ক'ত আছিল কব নোৱাৰো, এনেজনী মুখচোকা ছোৱালী আৰু নাই। মুখখন যেনিবা সৰস্বতীৰ বাণহে। নহলে নো তাইৰ এনে গতি হয় নে? ৰাহুত-বাহুতকৈ আহি পোন্দোৱা-পুন্দিকৈ মোলৈ চাই কলে—'বাই, লোকৰ বয়বস্তু ধন-সোণৰ মহলা মাৰি মুখ বিষোৱাৰ লাভ কি? তোমাৰ নিচিনা ঘৰভাঙতীৰ ইয়ালৈ নহাই ভাল।' অন্তৰৰ দাহ আইদেউ, অন্তৰৰ দাহ। কওকচোন আইদেউ মই ঘৰভাঙতী নে নলিনী ঘৰভাঙতী? নহলে নো প্ৰিয় বোপাৰ নিচিনা জুৰ ধীৰ লৰাক মাকৰ বুকুৰ পৰা আঁতৰাই ৰাখিব পাৰে নে?" "থুঃ"—মোলানী বাইৰ মুখ আকৌ মেল খালে—কলে, "এৰা, আমাৰেই কপাল, হলাগছ দেখিলে সকলোৱে বাগিকুঠাৰ মাৰিবই। আজি তেওঁ থাকিব লাগিছিল। তেওঁৰ অবিহনে আমি আজি দাঁত ভগা সাপ। লোকৰ হাতলৈ মুখলৈ চাই দিন নিয়াবলৈ 'লোকৰ তিতা মাত খাবলৈ মোক এৰি তেওঁ গুচি গল।"

মোলানীয়ে আঁচলেৰে চকুলো মচিবলৈ ধৰিলে।

"নাকান্দিবা বাই, নাকান্দিবা। পিছে এতিয়ানো কোন কোন আছে?" "শত্ৰুৰ মুখত ছাই দি আছিল আইদেও, মোৰ সকলো আছিল। জোন-বেলিৰ দৰে দুটা লৰা, তিনিচাৰিজনীকৈ দিপ্‌লিপ্‌ ছোৱালী। কিন্তু তেওঁৰ লগে লগে কালহঁতেও তেওঁৰ বাটেদিয়েই খোজ ললে। ৰল গৈ এজনী নিচেই টেলেকা ছোৱালী। আজি চাৰি মাহ হল তাইকো পুহাই কনিষ্টবলে পলুৱাই নিছিল। ছোৱালীজনীয়ে বেছি দিন শহুৰী খাটিব কিন্তু নোৱাৰিলে। আও, এনেজনী ৰাওমুঈ, গৰুৱাগালী শাহুৱেক। তাইৰ তাপত থাকিব নোৱাৰি আজি এমাহ হৈছে মোৰ ওচৰ চাপিছেহি। হেজাৰো হ'ক, পেটৰ পোৱালী। কলৈ দলিয়াই পেলাম? পেটত নাই ভাত, গাত নাই কাপোৰ। তায়ো 'উকীলনী বৌদেওক এবাৰ চাই আহোঁগৈ' বুলি মোৰ লগতে আহিবই খুইছিল। পিছে গাটো নেহ-নেহ ঠেহ-ঠেহকৈ অহা দেখি এৰি থৈ আহিলো। ভাল আইদেও এতিয়া বেটী উঠোঁহে। পিছে দুডোখৰিমান ফটা কাপোৰ-কানি ছোৱালীজনীলৈ পোৱা হলে ভাল আছিল।"

যুতিকাই হাতবাকচ মেলি ৰূপ ৫৲ টকা মোলানীৰ হাতত দি কলে "পিন্ধা কাপোৰ-কানি দিবলৈ লাজ লাগে বাই।"

"আই দেহি, ডাঙৰ ঘৰৰ জীয়াৰী—মন ডাঙৰ হবই।" এটি সেৱা জনাই দুখুজিমান গৈ আকৌ ঘূৰি মোলানীয়ে যুতিকাক কলে—"এ এটা কথা কবলৈ পাহৰিছিলোৱেই। আইদেও, বয়স পৰাৰ লগে লগে মনতো কথা নোৰোৱা হল। আহিবৰ সময়ত ছোৱালীজনীয়ে কলে—"আই মোৰ আজি ৬।৭ দিনৰে পৰা মূৰটো আকৌ ঘূৰাবলৈ ধৰিছে। উকীলনী ন-বৌক কবিচোন কিবা তেল আছে নে!" সিবাৰ নলিনীয়ে তাইক কিবা এবটল গোন্ধতেল দিছিল—তাৰ কথা কৈয়েই তাই অন্ত নাপায়।"

যুতিকাই আলমাৰি মেলি এবটল 'মায়াবিনী' তেল মোলানীৰ হাতত দিলে। আলমাৰি মেলোতে সেন্দুৰৰ কিছুমান ধোপ দেখি তাকো এধোপ মোলানীয়ে সৰকালে। লং, এলাচি, দালচেনি বটাত দেখি নোসোধাকৈয়ে তাৰ

সৰহভাগ হাঁচটিত বান্ধি ললে। জীয়েকৰ গালখন কাটি চিৰাচিৰ হৈছে বুলি কৈ যুতিকাক তাৰ কিবা ঔষধ আছেনে বুলি সুধি এবটল হেজলিন স্নোও হাত কৰি ললে। আৰু সাৱশেহত দিয়ন-থোৱনত উকীলনী অইদেওক এই অঞ্চলৰ ভিতৰত কোনেও চেৰ পেলাব নোৱাৰিব বুলি কৈ ধীৰে ধীৰে সময়ত আকৌ এবাৰ দেখা দিম বুলি কৈ প্ৰস্থান কৰিলে।

• • • •

মোলানী গল হয় কিন্তু নলিনীৰ কথাই যুতিকাৰ মনত তোলপাৰ লগাবলৈ ধৰিলে। অন্তৰত তেওঁৰ অস্বস্তি বিয়পি পৰিল। "আৱাহনৰ" মেলা পাত মেলাতেই থাকিল,পঢ়ি ভাল নালাগিল। উঠি এখন পৰ্দ্দাত ফুল তোলা কামত ধৰিলে কিন্তু তাতো তেওঁৰ মন নবহিল। অৰ্গেনত হাত বোলাবলৈ ধৰোঁতেই আঙুলি কঁপি উঠিল। শেহত অন্তৰৰ গধুৰ বোজা পাতলাবৰ অভিপ্ৰায়ে এটি কবিতা লিখিবলৈ মন কৰি কাকত বিচাৰি প্ৰিয়কান্তৰ ড্ৰয়িং ৰুমত সোমাল আৰু কাকত থোৱা ড্ৰৱাৰ মেলি দুখিলামান কাকত টানোতেই প্ৰিয়কান্তই ৰাতিপুৱা গেন্ধাই গাওঁবুঢ়াৰ হাতৰ পৰা পোৱা "প্ৰিয় মোৰ" সম্বোধনেৰে লিখা "সংযুক্তাৰ" পত্ৰখনি ওলাই পৰিল। এটা অজানিত আশঙ্কাত যুতিকাৰ অন্তৰ কঁপি উঠিল। পত্ৰখনি পঢ়ি যুতিকাৰ মূৰ ঘূৰি গল—তেওঁ আৰু থিৰেৰে থাকিব নোৱাৰিলে। কবিতাৰ ভাপ কোনোবা ফালে উৰি গল। হা-হুমুনিয়াত তেওঁৰ গোটেই অন্তৰ ভৰি পৰিল।

• • • •

আবেলি প্ৰিয়কান্তই ওকালতিৰ পোন-প্ৰথম আৰ্জ্জিত ৰূপ দুটকা যুতিকাৰ হাতত কি ভাবেৰে দি যুতিকাৰ বিস্ময় জন্মাব ভাবি ঘৰ সোমাই যুতিকাক বিছনাত পৰি থকা দেখি উচপ খাই উঠিল আৰু ধীৰে ধীৰে ওচৰ চাপি তেওঁৰ কপালত হাত দি সুধিলে—"কি হৈছে যুতিকা তোমাৰ? নামাতা কিয়? মূৰ ঘূৰাইছে? পানী লগাব ভাব?"

যুতিকা নিমাত-নিৰুত্তৰ হৈয়েই আনফালে মুখ কৰি চকু মুজিলে। বিবাহিত জীৱনৰ এই প্ৰথম প্ৰতিহত আঘাতে প্ৰিয়কান্তৰ অন্তৰত মাথোন প্ৰেমৰ প্ৰবাহ সৃষ্টি কৰিলে। যুতিকাৰ ওচৰতে বহি তেওঁৰ হাত দুখনি সাৱটি প্ৰেম-কৰুণ সুৰেৰে সুধিলে—"ঘৰলৈ মনত পৰিছে তোমাৰ? এই দুদিনতে দেখিছোঁ মোলৈ পিঠি দিছা—আমনি পাইছা যুতিকা? ছিঃ, কান্দিছা কিয়? অহা গুড্‌ফ্ৰাইডেৰ বন্ধত ঘৰলৈ তোমাক লৈ যাম নহয়!...উঠা, উঠা।—"

যুতিকাৰ মুখৰপৰা মাথোন ওলাল—"আপোনালোকক চিনা বৰ টন! উঃ!—"

"কি কৈছা যুতিকা? কি হৈছে তোমাৰ? এনেকৈ কঁপিছা কিয়? তালুত জবাকুসুম অলপ ঘহি দিম নে?"

প্ৰিয়কান্তই অশেষ সাধ্য-সাধনা কাকুতি-মিনতি কৰিও যুতিকাৰ মাত উলিয়াব নোৱাৰি মাকক মাতি সুধিলে—"বোৱাৰীয়েৰাৰ কি হৈছে আই?"

"জানো বোপা, আবেলিতে কৈছিল মূৰ ঘূৰাইছে বুলি। ন-ছোৱালী!"

"আই!"

"কি হৈছে তোৰ? উঠি অলপ বহচোন।"

"মূৰটো বৰকৈ ঘূৰাইছে আই!"

"বোপা, ডাক্তৰৰ ঘৰলৈকে এবাৰ যাচোন।"

"নালাগে আই! অলপ বাৰু পাইছোঁ।"

গধূলি প্ৰিয়কান্তই ফুৰিবলৈ ওলাই যুতিকাক কলে "মোৰ অহাত অলপ ৰাতি হব দেই। এই দোল পূৰ্ণিমাত মোৰ পৃথ্বীৰাজ নাটকখনিৰ নতুনকৈ সজা ৰঙ্গমঞ্চত অভিনয় হব। আজিৰ পৰা ৰিহাৰ্শেল আৰম্ভ।"

"পৃথ্বীৰাজৰ ভূমিকাত স্বয়ং নাট্যকাৰেই বোধ কৰো অৱতীৰ্ণ হব?"

"তোমাৰ বুদ্ধিক তাৰিফ নকৰি নোৱাৰিলোঁ যুতিকা। বেচেৰা অসমীয়া নাট্যকাৰবিলাকৰ উপায় নাই! নাটকো ৰচিব লাগে, ইফালে ভাৱৰীয়াও সাজি ওলাব লাগে।"

"পৃথ্বীৰাজৰ ভাৱত আপোনাক শুৱাব ভাল। কিন্তু তিৰোতাৰ ভাওবোৰ পুৰুষে লয় কিয়? সংযুক্তাৰ ভাও লব পৰা এগৰাকী ছোৱালীও ইয়াত নোলায় নে?" শ্লেষপূৰ্ণ স্বৰেৰে যুতিকাই সুধিলে।

"তুমিও ভাল যুতিকা। দুষ্টামিৰ পুৰস্কাৰ এই...।" ...হাঁহি হাঁহি প্ৰিয়কান্ত বাহিৰ ওলাল।

যুতিকাৰ মূৰঘূৰণি দিনে দিনে বেছি হৈ আহিল। দিনবোৰ তেওঁৰ দুঃস্বপ্নৰ দৰে যাবলৈ ধৰিলে।

• • • •

সাদিনৰ মূৰত ৰাতিপুৱা প্ৰিয়কান্তই ড্ৰয়িং ৰুমত সোমাই অহা দোলযাত্ৰা উপলক্ষে পৃথ্বীৰাজ ভূমিকাৰ কেনেকৈ ভাও দিব, কোন সময়ত কেনে মোশ্যন দিব ইত্যাদি আউতি থাকোতে এটি সেৱা জনাই গাওঁবুঢ়া হাজিৰ হলহি।

"গাওঁবুঢ়া দেখো।"

"হৈছে। দেউতাই কোৱামতে বৰচাহাবৰ তাত আপীল কৰিবৰ মন কৰি বন্দী আহিছো। তাতে সিফালে মনোহৰ আৰু মালিতাৰ কেলেঙ্কাৰী দিনে দিনে চৰিহে গৈছে, দেউতা! সেই কেলেহুৱাই কোনোবা এটা উকীলে লেখা হেনো কিবা পিথ্বীৰাজ নে কি নাটক এখন ফাকুৱাৰ দিনা গাবলৈ গাৱঁত হুলস্থুল লগাই দিছে। সেই নিলাজী নাককাটীয়ে আকৌ চিঠি চলাবৰ মন কৰি এইখন লিখি গাৰুতলত থওঁতে মাকে পাই কালি আনি মোৰ হাতত দি দেউতাৰ ওচৰলৈ পঠাই দিছে। দুখুনী বাঁৰী মাকৰ লাজমান ৰখাৰ ভাৰ দেউতাৰ ওপৰতে।"

প্ৰিয়কান্তই পঢ়ি চালে—

"প্ৰিয় মোৰ!

সদায় গধূলি এবাৰ দেখা দি আপোনাৰ সংযুক্তাৰ প্ৰাণ যে কেনেকৈ শীতল কৰিছে তাক নেদেখাজনে দেখিছে। কিন্তু আৰু কিমান বিৰহৰ তাপ সহিম? পৃথ্বীৰাজৰ পত্নী কেইজনা আছিল নাজানো। কিন্তু এক কৃষ্ণৰ চৰণ সহস্ৰ গোপিনীয়ে সেৱাৰ বিধি জানো নাই? শুনিছোঁ এই পূৰ্ণিমাত পৃথ্বীৰাজৰ ভাৱত আপুনি ওলাব। সেই ৰাতিয়েই ভাৱনা ঘৰৰ পৰা আপোনাৰ সংযুক্তাই আপোনাৰ লগ ধৰি আপোনাক প্ৰকৃত পৃথ্বীৰাজ কৰিব।

আপোনাৰেই—সংযুক্তা।"

পৃথ্বীৰাজ নাট্যকাৰ উকীল প্ৰিয়কান্তৰ তেওঁৰ মানস-পুত্ৰৰ প্ৰতি মনোহৰৰ আগ্ৰহ দেখি উচ্ছসিত আনন্দত অন্তৰত মণ্ডলৰ প্ৰতি সহানুভূতিৰ উদ্ৰেক হৈছিল যদিও তেওঁৰ লেখনীয়ে অৰ্দ্ধশিক্ষিতা কোমলমতি গাওঁলীয়া জীয়ৰীৰ মনত কিভাৱে বন্ধনবিহীন প্ৰণয়ৰ আচ বহুৱাইছে ভাবি তেওঁ অলপ চিন্তিতো হল। চিঠিখন ড্ৰৱাৰৰ ভিতৰত সুমাই গাওঁবুঢ়াক কলে—"এইবোৰ ভালপোৱাৰ—প্ৰেমৰ কথা গাওঁবুঢ়া। আইনকানুনৰৰ অতীত—অনেক আঁতৰত।"

"প্ৰেম-ভেমৰ কথা নুবুজো দেউতা। বুঢ়ীৰ মান ৰক্ষা কৰক।"

"নিজৰ জীয়াৰীয়ে মাক-বাপেকৰ মান নাৰাখিলে আইনে কেনেকৈ ৰাখিব?"

"ভাল তেন্তে উঠোঁহে। বুঢ়ীৰ বুটি বাঢ়নীয়ে এই জৰ একৰাব নোৱাৰিলে দেউতাসৱৰ আইন-কানুনে নোৱাৰে দেখিছোঁ।"

• • • •

"আই ঐ দেহি! কি হৈছে আইদেও আপোনাৰ? চকু দেখো কুমত সোমাল।" মোলানীয়ে যুতিকাক সুধিলে।

"একো হোৱা নাই বাই। মনটো বৰ ভাল নহয়।"

"একো হোৱা নাই বুলিলে কেলৈ পতিয়াম! মুখত আগৰ লাৱণি নাই—চকুত সেই তেজ নাই। আজি কেবা দিনো এইফালে আহোঁ আহোঁ কৰি কাম-কাজৰ হেঁচাতে আহিব পৰা নাই আইদেও। কালি গধূলি নলিনীহঁতৰ ঘৰত গান-বাজনা শুনি কিনো পাতিছে বুলি চাবলৈ গৈ দেখোঁ যে প্ৰিয়কান্ত বোপা। সুধিলো—আইদেওৰ অলপ অসুখ বুলি শুনিছিলোঁ এতিয়া অলপ বাৰু পাইছেনে?"

"পিছে কলে কি বাই?" হুমুনিয়াহ কাঢ়ি আগ্ৰহেৰে যুতিকাই সুধিলে।

"আমাৰ কথালৈ কাণকে নিদিলে আইদেও। কিবা হেনো ভাৱনাৰ আখৰা গাইছে। হাঁহি-খিকিন্দালিৰে গোটেই ঘৰ তোলপাৰ। এনে কাম আমি বুঢ়ী হলোহি দেখাই নাই আইদেও। গাভৰু ছোৱালী থকা ঘৰত বাহ লৰাৰ তামোছা ভাল নেদেখায়। অঁ, মোলানী বেয়া, মোলানী বেয়া, তাকে কৈ ফুৰিলেই মোলানী বেয়া। আমাৰো এদিন আছিল। আমি দুখীয়াহে, কিন্তু আমাৰ

চকুলৈ চাবলৈ, আমাৰ ঘৰত গৈ এনে কাণ্ড কৰিবলৈ কাৰোবাৰ সাহ আছিল নে? ছিঃ, কি লাজ! কি ঘিণাৰ কথা!" মোলানীৰ মুখ বিকৃত হৈ পৰিল।

"আহঁদেও, মই কৈছোঁ! নলিনীৰ মাক ৰৱ পেটচিন্ধৰী। বোপাক তালৈ যাবলৈ বন্ধ কৰি দিয়ক। নহলে আহণি-মাহদিন জোৱত কি কৰে ঠিক নাই। পুকৰ ভোমোৱা-জাতি আইদেও—তেওঁলোকৰ পেট পোৱা টান।"

যুতিকাৰ অন্তৰতো মোলানীৰ কথাৰ প্ৰতিধ্বনি উঠিল 'পুকৰ ভোমোৱা জাতি'।

যুতিকাৰ শৰীৰৰ তেজ শুকাল, মনৰ বল তেওঁৰ টুটিল। মোলানীয়ে যুতিকাৰ অন্তৰত যি বিহ ঢালিলে তাৰ মৰ্ম্মন্তুদ তীব্ৰ বেদনাত যুতিকা অস্থিৰ হৈ পৰিল। ভৱিষ্যতে তমোদ্ৰমৰ ভয়াবহ মূৰ্ত্তি লৈ যুতিকাৰ চকুৰ আগত উপস্থিত হল।

"যাই।"

"আহঁদেও।"

"মোৰ মুৰটো ৰৱকৈ ঘুমাইছে। মই উঠোঁহে।"

"ঘুমাব তো আইদেও। এনে কাণ্ড-কাৰখানা দেখিলে তানলে কোন তিকতা খিৰে থাকিব পাৰে? এদিন আমাৰ আইটীৰ বাপেকে আমাৰ ঘৰৰ ওচৰত থকা ভেৰেলীৰ বাৰী মাকৰ চকুলৈ চাইছিল। শুনিয়েই মোৰ হাতভৰি কাঁপি উঠিল। সাদিনলৈ মুখত মোৰ কণ এটা নগধলি নহয়। ভাল অলপ জিবাওক গৈ। ময়ো উঠোঁহে।"

কিন্তু মোলানীৰ উঠিবৰ চিন তেতিয়াও দেখা নগল। অলপ পৰ থাকি আপোন মনে কৰঁপি ধৰিলে—"এযা, আইদেওৰ আগত কৰিলেকে সন্ধোচ লাগে। তিকতাক পোহক ছাবি তিকতাইহে হাতৰ কাণৰ বেচি ৰৱ মতাক পুহিব লগা হৈছে। যদি পুহিবই নোৱাৰে তেন্তে তিকতা ঘটিছিলি কিয়, হুঁ? মই মাগি-খুজি যি গোটাম তাতো হাত দিবহি?"

"কাৰ কথা কৈছা বাই?"

"এই আমাৰ জোঁৱাইপাতৰ কথা আইদেও। সিদিনা আইদেৱে দিয়া ৰূপ পাঁচটকৈ ছুটকি খৰহ কৰি চাউল-পাত কিনি এই কিদিন চলাইছিলোঁ। কালি সেই হতভী হোৱা জোঁৱাইপাত আহি মোজাদাবে খাজনাৰ কাৰণে হালোৱা গৰু হালো ক্ৰোক কৰিছে বুলি কৈ বাকী তিনটকি ৰূপ আৰু ছোৱালীজনীৰ হাতৰ কণৰ খাৰু ঢুপাত সৰকালে। ছোৱালীয়ে চকুৰ পানীত বাট নেদেখা হৈছে। অনেক গুনি-গাঁথি কলে, 'নাকাজিবি, তোৰ কপালত যি হব লগা আছিল হৈছে।' বাওঁচোন বাৰু আমাৰ উকীলনী আইদেওৰ ওচৰলৈকে। তেওঁ এটা নকবিলে এই অঞ্চলত দুখীয়াৰ দুখ বুজোতা লোক কোনো নাই। দেহি, দয়াৰ শৰীৰ।"

দয়াৰ শৰীৰৰ পৰা আকৌ পাঁচটকি সৰকাই যুতিকাৰ বস্তমান অৱস্থালৈ মন কৰি হা-হুমুনিয়াহ দুটা পেলাই মোলানী বাই বাহিৰ হল।

মোলানী গল। কিন্তু মোলানীৰ প্ৰতি অক্ষৰে অলন্ত মূৰ্ত্তি পৰিগ্ৰহ কৰি যুতিকাক দেহ-পুৰিবলৈ ধৰিলে। যুতিকাৰ এগাল বাৰণৰ চিতা জ্বলিল। সিদিনা প্ৰিয়কান্তৰ দুৱাৰত পোৱা চিঠিখনি উলিয়াই দুনাই তেওঁ পঢ়িলে। মনত তাৰ অৰ্থ এইবাৰ জল্‌জল্ পটুপটুকৈ অতি পৰিষ্কাৰ হৈ ওলাই পৰিল। চিঠিৰ "প্ৰিয় মোৰ" পৃথ্বীৰাজ নাটকৰ প্ৰিয়কান্তৰ বাহিৰে যে আৰু কোনো নহয়, সংযুক্তা যে নলিনীবেই আদৰকৰা গুপ্তনাম, থিয়েটাৰ পতাৰ—আখৰা দিয়াৰ গাঁবিনা লৈ যে প্ৰিয়কান্তই নিতো বাতি নলিনীক দেখা দি আহে এই সকলো কথা যুতিকাৰ ভ্ৰান্তিপ্ৰবণ মনে অভ্ৰান্ত বুলি ধৰি ললে।

কিন্তু কঁতা? প্ৰিয়কান্তৰ তো মতি-গতিৰ, যুতিকাৰ প্ৰতি অবাধ অনন্ত প্ৰণয়ৰ একো পৰিবৰ্ত্তন নাই?···সেই চিৰহাস্যময় প্ৰিয়কান্তৰ মুখত তো কামনাৰ কলুষ চিহ্ন নাই? তেন্তে কিয় এই মিছা আশঙ্কা? আত্ম-গ্লানিত যুতিকা চকুলো ওলাল।

অন্তৰ দেৱতা আকৌ গৰজি উঠিল—"পুকৰ ভোমোৱা জাতি, নাৰী। পুকৰৰ চৰিত্ৰ বুজিবলৈ চেষ্টা কৰা বিড়ম্বনা মাথোন।"

• • • •

যুতিকাৰ মাকলৈ মনত পৰিল। যুতিকাৰ এই বিষাক্ত মাকক তুৰন্তে মাতি পঠিয়া ভাল বুলি চিঠি লিখিবৰ মনেৰে কাকত বিচাৰি প্ৰিয়কান্তৰ ড্ৰয়িং কমত থকা দ্ৰুৱাৰ খুলোতেই সেইদিনা বাতিপুৱা গেঞ্জাই গাওঁবুঢ়াই দি যোৱা মালতিৰ দ্বিতীয় চিঠিখনিও যুক্তিকাৰ হাতত পৰিল। যুতিকাৰ আৰু বুজিবলৈ বাকী নাথাকিল যে তেওঁৰ কপাল ভাঙিল। মনত হল জীবন-যৌবন, প্ৰেম-প্ৰণয় সকলো মিছা, সকলো অসাৰ। বিবাহ-বন্ধন, হোমৰ মন্ত্ৰৰ মহিমা, অগ্নি-বায়ু-বৰুণৰ সাক্ষ্য ওজাঘৰৰ আহৰণ মাত্ৰ।"

কাণে কাণে কোনোবাই যুতিকাক কৈ গল—"এতিয়াও সন্দেহ? সন্দেহ নিৰ্ম্মম নিষ্ঠুৰ সত্যক্ষণে তোমাৰ আগত উপস্থিত।" বজ্ৰাহতৰ দৰে যুতিকা মূৰ্চ্ছিত হৈ মাটিত পৰিল।

ঘৰত হলস্থল লাগিল। খৰৰ পাই প্ৰিয়কান্তই কছাৰীৰ পৰা উধাতু খাই আহিল। মাকে বোৱাৰীৰ ওপৰ বৰ্ণাই পাৰেমানে কান্দিলে আৰু আইনাম বৰসাহৰ চৌপোৱা বান্ধিলে।

কেলিফোচ প্যাৰাৰ ফোচৰ প্ৰেস্ক্ৰিপ্‌শ্যন দি বাৰুকৈৰ

বিশ্লেষণ কৰাই আহি যোগ নিৰ্ণয় কৰিলে—হিষ্টিৰিয়াৰ পূৰ্ব্বলক্ষণ, মেণ্টাল ইনাৰছিয়া।

অ্যাকোনাইট, ওপিয়াম আদিৰ ফাইল লৈ হোমিওপ্যাথ হেমধৰ হাজৰিকা উপস্থিত হৈ মন্তব্য প্ৰকাশ কৰিলে—চিনকপ্ আৰু ডেমেনছিয়াৰ বাহিৰে ই অন্য একো নহয়।

দণ্ডবিধিৰ ভিষক্‌শ্ৰেষ্ঠ কবিশিৰোমণি কৰুনাধৰ কবিৰাজে "উন্মাদস্তী মহাশৈৰ বণ্যানব" ব্যাখ্যা দি গহীনাই কলে—মস্তিষ্ক প্ৰক্ৰিয়া বিনষ্টন ঘটিত মূৰ্চ্ছা-অপস্মাৰ।

চিভিল চাৰ্জ্জনৰে প্ৰমুখ্য কবি সৰুবৰ আয়োপ্যাথ সকল আছি কলে—ডিবেঞ্জমেণ্ট এণ্ড লছ অব মেণ্টাল ইকুইলিব্ৰিয়াম্। ব্যস্থা বিহলে—ব্লেষ্ট—কমপ্লিট ব্লেষ্ট—আৰু প্ৰত্যেক তিনিঘণ্টাই অন্তৰে অন্তৰে ইণ্টাবভেনাচ ইনজেক্‌শ্যন।

অসমীয়াৰ নিজস্ব নেহি মায়ং চিচ্টেম অৱ মেডিচিনৰ পৃষ্টপোষক প্ৰসিদ্ধ বেজ বাৰুৱাবাৰে হাতত এদুটা বিহলডনিৰ পাত লৈ ঘোষণা কৰিলে "ভুক্ত—ডাইনীৰ উপদ্ৰৱ।"

দেবেৰা- দৈবজ্ঞই পাঁজি মেলি পালে যুতিকাৰ জন্ম স্থানত কেতুৰ দশা তাতে শনি সংযোগ। ফলং—বন্ধনক মহদ্ভয়ম্। উপায়—গ্ৰহযাগ।

তান্ত্ৰিক আচাৰ্য্য শ্ৰীমৎ স্বামী ভোজনানন্দই যুতিকাৰ বাহুত শ্ৰীসূৰ্য্য কবচ বান্ধি তাৰ মহিমা বৰ্ণাই গালে—

"সৰ্ব্ব বক্ষাকৰং সাক্ষাৎ সৰ্ব্ব বোগ প্ৰনাশনম্।"

দুঘণ্টে যেয়ে যি পৰামৰ্শ দিলে বেচেবা প্ৰিয়কান্তক বিতত হৈ সেই মতেই কৰিলে। কিন্তু যুতিকাৰ মূৰ্চ্ছা ভঙ্গ আগন্তুক দেখা নগল।

• • • •

সাদিনৰ মুবত যুতিকাই অলপ বাক পাই মাক আৰু শাহুবেকৰ ওচৰতে গৈ অলপ বহিছে।

প্ৰিয়কান্তই ভিতৰত কিবা লিখা-পঢ়া কৰি আছিল। এনেতে বাহিৰত গেঞ্জাই গাওঁবুঢ়াৰ মাত শুনি ওলাই আহি শুনিলে—মনোহৰ মণ্ডলক কালি গাৱঁৰে এনাই পণ্ডিতৰ চৌধৰছৰীয়া ছোৱালীজনী ধৰি নিয়াৰ অপৰাধত পুলিছে গ্ৰেপ্তাৰ কৰিছে বুলি। গাওঁবুঢ়াই মালিতাৰ চিঠি দুখনৰ প্ৰয়োজন হৈছে বুলিও প্ৰিয়কান্তক জনালে।

চিঠিৰ কথা প্ৰিয়কান্তৰ মনৰ পৰা সমুলি আঁতৰেই হৈছিল। চিঠি বিচাৰি ড্ৰয়িং কমত গোমাই নাপাই ভিতৰলৈ যাওঁতেই কঁহুৱা মাতেৰে মাকে মাত লগালে "প্ৰিয়!"

"আই!"

"এইবোৰ কি? তই কাহানিৰ পৰা এনে চুলুং হলি?" এই বুলি প্ৰিয়কান্তৰ গালৈ দুখন কাকত মাৰি পঠালে।

কাকত দুখন মেলি চাই প্ৰিয়কান্তই দেখে যে মালিতাক হেৰোৱা প্ৰেমপত্ৰ। একো বুজিব নোৱাৰি প্ৰিয়কান্ত মাকৰ মুখলৈ চাই ভেবা লাগি বল।

"চাইছ কি নিলাজ! এইবোৰ তোলৈ কোনে চলাইছে? তোৰ মনত যদি এনেহে আছিল তেনেহলে ন-ছোৱালীক বিয়া কৰিছিলি কিয়?—পুৰি খবলৈ।"

"এইবোৰ মোকলে গেঞ্জাই গাওঁবুঢ়াই দিয়া মালিতাৰ চিঠি। ইমান পৰে বিচাৰি'হাইবান হে চুবিছো। পালা ক'ত আই! বাহিৰত গাওঁবুঢ়াই এই চিঠি দুখন নিবলৈকে এতিয়াও বাট চাই আছে।

"ন ছোৱালীয়ে বিয়নীৰ হাতত দিছিল।"

চাঁত কৰে যুতিকাৰ মনৰ সন্দেহ-কুৰ্ত্তলী জাঁতৰি গল। চকুত তেওঁৰ লাজ আৰু অনাবিল আনন্দ চুটি উঠিল।

"আজিকালিৰ ছোৱালীবোৰে নিচেই অপণবতুয়া—ভাবত ওপডি ভুবা বিধৰ" বুলি মন্তব্য প্ৰকাশ কৰি দুয়ো বিয়নী হাঁহিত বাগৰি গল।

—"দেখিছো মোৰ আৰু ওকালতি ব্যবসায় কৰা নহব। মালিতাৰ বিষয়ে ওকালতি কৰি ঘটাছিলো চুটকা—ভবিলো ডাক্তৰ-কবিৰাজত যাগ-যজ্ঞত দুখ। তাৰ উপৰি তো গাৱ লাটিখুটি আৰু আইৰ এই কঠুৱা গালি।"

শাহুবেকৰ ফালে চাই কলে—আই, এই আটাই-বোৰৰ কাৰণে কিন্তু লোকচানি ভৰিব লাগিব আপুনি—খেছাবত ড্যামেজ।

খেছাবত বাবে আৰু মই নো কি দিম বোপা! ভাবিছো মোৰ মাজু ছোৱালীকো তোমাকেই গতাম। কি কয় বিয়নী?

হাঁহি হাঁহি প্ৰিয়কান্ত জাঁতৰি গল।

• • • •

ৰাতি।

...অপৰাধ তোমাৰ অনেক যুতিকা। অনাহকত... হাতযোৰ কৰি যুতিকাই হাঁহি হাঁহি কলে—উকিলৰ মুখখন বন্ধ কৰক, লোহাই পৃথ্বীৰাজৰ।

প্ৰথম অপৰাধ—পৰমশুৰু পতিৰ প্ৰতি অবিশ্বাস।

দণ্ড বিহক ধৰ্ম্মৰাজ।

দণ্ড ভীষণ, শাস্তি শুকতৰ। বাৰু আজিলৈ প্ৰথম অপৰাধৰ শাস্তিকে লোৱা।...সোঁহাতখনিবে পতিৰ বাওঁ পদত ধৰা আৰু বাওঁহাতেবে তোমাৰ সোঁফালৰ কাণখন মূচৰি গোৱা—পতি পৰম গুৰু, পতি পৰম গুৰু, পতি পৰম গুৰু।

মহিলা জগত



১৮ মার্চ্চ (১৯৫২) তাৰিখে জয়মতী উৎসৱ উপলক্ষে মহিলা সমিতিৰ উদ্যোগত ছোৱালী-বিলাকৰ যি ভাৱনা হৈছিল তাৰে এটা দৃশ্য বন্দীপাল, টোপনিত চাওদাংবিলাক, জয়মতী বাজমাও, পদ্মা আৰু ছদ্মবেশী গদা াণি



কামৰূপ মহিলা সমিতিৰ উদ্যোগী কৰ্ম্মীসকল আৰু জয়মতী নাটকৰ ভাও লোৱা ছোৱালী কেজনীমান—

(১) শ্রীযুতা বেগম মজিদা তৈয়বউল্লা
(২) শ্রীযুতা বাজবালা দাস বি-এ
(৩) „ স্বর্ণলতা গোস্বামী
(৪) শ্রীমতী ইলা গোস্বামী (গদাধৰ)
(৫) „ ত্রিবণবালা তালুকদাৰ (জয়মতী)
(৬) „ জাহান আৰা (বন্দীপাল)

প্রাচীন চিত্রৰ উজ্জ্বল নিদর্শন

—শ্রীযুত সর্ব্বেশ্বৰ শর্ম্মা কটকী

প্রাচীন সম্পদ সংগ্রহ কার্য্যত নিযুক্ত থাকোঁতে দৰঙী ৰজাৰ ঘৰত এখন উৰলি যোৱা সঁচিপতীয়া পুথিৰ চিত্র কৰা কেইটমান পাত পোৱা হৈছিল। সেই কেইটি পাতত অতি উজ্জ্বল চিত্রৰ নিদর্শন আছে। চিত্রবোৰৰ পৰা সেই সময়ৰ সাজ-পাৰ, ভাবভঙ্গী ইত্যাদি নানা কথাৰ সন্ধান পোৱা যায়। চিত্রবোৰৰ মুখৰ সাজ এবিধ বিশেষকৈ লক্ষ্য কৰিব লগীয়া বিষয়। অঙ্গভূষণ, অলঙ্কাৰ, তিলক, হাতৰ মুদ্রা, উপদেশনৰ অবয়ৱ ইত্যাদি বিষয়বোৰ এই চিত্রত বিশেষভাৱে প্রকাশ পাইছে। স্বর্গীয় পণ্ডিত হেমচন্দ্র গোস্বামীৰ দ্বাৰা সংগৃহীত হস্তমুক্তাবলী নামে গ্রথিত হাতৰ বিবিধ মুদ্রা, মনৰ বিবিধ ভাব প্রকাশক শৰীৰৰ ভঙ্গিমা ইত্যাদি বিষয় আলোচনা আছে। Descriptive catalogue of Assamese manuscripts নামে কিতাপৰ ১০৭ পৃষ্ঠাত ৺হেমচন্দ্র গোস্বামীৰ দ্বাৰা লিখিত পুথিৰ সবিশেষ বর্ণনা আছে। হস্তমুক্তাবলী পুথিৰ বচয়িতা গুভঙ্কৰ কবি আৰু স্বর্গীয় পণ্ডিতৰ অনুমানত ই পঞ্চদশ শতাব্দিত বচিত পুথি। আউনীআটি সত্রত এই পুথি পোৱা হৈছিল। নেপালত কটামুণ্ড থকা লাইব্রেৰীত এনে এখন সংস্কৃত পুথি আছে বুলি মহামহোপাধ্যায় হৰপ্রসাদ শাস্ত্রী লিখিত Catalogue Catalgorum-ত উল্লেখ আছে। আমাৰ দেশত পোৱা পুথিখন হলে সংস্কৃতত। কিন্তু প্রতি মূল শ্লোকৰ অসমীয়া ভাঙনী আছে। পিছত চিত্রৰ ভাবভঙ্গীৰ বিষয় আলোচনা বিশেষজ্ঞসকলৰহে হাতত। আহোমস্বর্গদেৰ কন্দর্পসিংহ আৰু শিবসিংহৰ ৰাজ্যভাত থকা পণ্ডিতসকলৰ দ্বাৰা যিদৰে বহুলীয়া বিবিধ পুথি বচিত হৈছিল সেইদৰে দৰঙ-ৰাজসকলৰ সভাপণ্ডিতে বচনা কৰা বহুবিধ পুথিৰ সন্ধেত পোৱা গৈছে। আনাক দাক্ষিণাত্যৰ পৰা ব্রাহ্মণ পণ্ডিত অনাই এই ৰাজ্যত যাগন কৰাইছিল আৰু সেই বংশৰ পণ্ডিতৰ দ্বাৰাই অষ্টাদশ স্মৃতি গ্রন্থ বচনা কৰাইছিল। এই দৰঙৰাজ্যও বহুদূৰ বিস্তৃত আছিল। ৰাজকুমাৰ ভূপেন্দ্রনাৰায়ণ দেৱ, এম-এল্-চি গাৰুবীয়াৰ ঘৰত থকা এখন তামৰ ফলিত দৰঙৰাজ্যৰ সীমা এইদৰে দিয়া আছে—

"দৰঙদেশৰ ৰাজা, ৰাজপুত্র ও ৰাজৰিকিয়া ও চহৰিয়া ও দুৱৰা, ও ডাঙৰীয়া ও সৈকীয়া, ও বড়া সকলেও সাৱধানে জানিবেক পূৰ্বে ধনশিৰি নৈ পশ্চিমে ৰৱনদি ও উত্তৰে গোহাটিৰ কমল আলি দক্ষিণে লোহিত এই চতুহদে দৰঙৰ ভিতৰত জিবতা কৰি দুৱাৰৰ ধন ৮ৰ চৰণত সোধাৰ লগা আছিল" ইত্যাদি। ওপৰত লিখা ফলিৰ পাঠৰ পৰা দৰঙৰ ৰাজবিষয়া আৰু ৰাজ্যৰ চাৰিসীমা সুন্দৰকৈ বুজা যায়। এই ৰাজ্যৰ ভিতৰত সুকুমাৰ শিল্পৰ উন্নতি হৈছিল। দৰঙ ৰাজ-বংশাৱলীত কোচৰাজৰ অভিষেক উপলক্ষে বজোৱা বিবোৰ বিবিধ বাদ্যযন্ত্রৰ উল্লেখ আছে সেইবোৰে সেই ৰাজ্যৰ সঙ্গীত চর্চ্চাৰ বিষয়ে প্রমাণ দিয়ে। পিছত এইবোৰ কথা বিশেষ বাহুল্য নকৰি প্রাচীন চিত্রখনি চিনাকি কৰা যাওক। অশ্বিনী ভৰণী ইত্যাদি আঠাইশ নক্ষত্র আৰু আঠাইশ যোগ এই পুথিৰ পাতটিত চিত্রিত কৰা হৈছে। পুথিত আছে, যেনে —

"তাসম্বাৰ নাম কহো শুনা ভিন্নি ভিন্নি।
অশ্বিনী, ভৰণী, আর্দ্রা কৃতিকা বোহিণা॥
মৃগশিৰা, মঘা, পুষ্যা, পূর্ব্ব যে ফাল্গুনী।
পুনর্ব্বসু, অনুৰাধা, উত্তৰ ফাল্গুনী॥
হস্তা, চিত্রা, স্বাতী, আৰু বিশাখা, অশ্লেষা।
শ্রবণা ধনিষ্ঠা, মূলা, আৰু শতভিষা॥
অপৰ উত্তৰষাঢ়া পূর্ব্বভাদ্র পদ।
পূর্ব্বষাঢ়া ৰেবতী, উত্তৰ ভাদ্রপদ॥
আঠাইশ নক্ষত্র এই দক্ষৰ নন্দিনী।
শুনিয়ো যোগৰ আৰু নাম ভিন্নি ভিন্নি॥
নিকুম্ভ প্রীতি আয়ুষ্মান আৰু শূলগণ।
সৌভাগ্য শোভন আতি গণ্ড বৃদ্ধি॥
হৰিষণ বৃদ্ধি ধ্রুব পৰিঘ, বৈধ্যাঘাত।
সিদ্ধি সাধ্য, বজ্র ৰবিষণ ব্যতিপাত॥
শিৰ, শুক্ল, শুভ, শুক্ল ব্রহ্ম ইন্দ্রনাম।
বৈধৃতী আঠাইশ যোগ কৈলো অনুপাম॥"

ওপৰৰ বর্ণনাখিনি শঙ্কৰদেৱৰ বিৰচিত অনাদি পাতন পুথিৰ অন্তর্গত। এই সচিত্র পুথি কামৰূপ অনুসন্ধান সমিতি গৃহত ৰক্ষিত হৈছে।

সম্পাদকীয়

বছৰ বিদায় আৰু নতুন বছৰলৈ সাদৰ-সম্ভাষণ

আন আন বছৰৰ দৰে এই বছৰৰো অন্ত পৰিল। এনেকৈ প্ৰতিবাৰে নতুন বছৰ আহে, পুৰণি বছৰে বিদায় লয়। সুখতে হ'ক, দুখতে হ'ক, শান্তিতে হ'ক নাইবা অশান্তিতে হ'ক সেই বছৰৰ শেষ হয়। ঘণ্টাৰ পিছত দিন, দিনৰ পিছত মাহ আৰু মাহ মাহকৈ গোটেই বছৰ এদিন গৈ কালৰ অসীম সাগৰত বুৰ যায়—ৰাখি যায় কেৱল তাৰ বিশেষ বিশেষ ঘটনা আৰু কাৰ্য্যবিলাকৰ স্মৃতি। সেই স্মৃতিয়ে মানুহৰ মনৰ ওপৰত বহুতখিনি ক্ৰিয়া কৰে।

মানুহৰ মনৰ লগত তাৰ অতীত জীৱনৰ কাৰ্য্যকলাপৰ সম্বন্ধ বিশেষ ঘনিষ্ঠ। এই কথা ব্যক্তি হিচাপে যিমানখিনি সচা সমষ্টি বা জাতি হিচাপেও তিমানেই। আলোচ্য এই বছৰটোত নানা অপায়-অমঙ্গল অভাৱ-অভিযোগৰ লগত যুজ কৰি ব্যক্তিগত নাইবা জাতীয় চেষ্টাৰে সেইবিলাকক সম্পূৰ্ণৰূপে পৰাভৱ কৰিব নোৱাৰিলেও জীৱন যুদ্ধত সেয়ে আমাক আত্মৰক্ষা কৰাই ৰাখিছে। আৰু অকল সেয়ে নহয়, জীৱনৰ মধুৰ সপোনৰ মোহন বাঁহীৰ সুৰত আমাক আকুল আতুৰ কৰি তুলিছে, জীৱনৰ কৰ্ত্তব্য হাতত লৈ আমাক আগুৱাবলৈ আহ্বান জনাইছে। আহক অজান বাটৰ বাটৰুৱা, জীৱন যুদ্ধৰ যুজাৰ—আগত সোৱা নতুন বছৰ—গছলতা সকলো নতুন—সকলো ৰঙচুৱা; এই সুযোগতে মনৰো সকলো আসোঁৱাহ এৰি ৰঙেৰে নতুন বছৰলৈ সম্ভাষণ জনাওঁ।

আৱাহনৰ গ্ৰাহকসকললৈ নিবেদন

আৱাহনৰ ৩য় বছৰৰ প্ৰথম ছমাহ পূৰ্ণ হ'ল। যিসকলে যোৱা ১৮৫৩ শ'কৰ বহাগ অৰ্থাৎ 'আৱাহন'ৰ ২য় বছৰৰ ৭ম সংখ্যাৰ পৰা এবছৰৰ বাবে আৰু যিসকলে যোৱা কাতি মাহ অৰ্থাৎ ৩য় বছৰৰ ১ম সংখ্যাৰ পৰা এই চ'ত অৰ্থাৎ ৬ষ্ঠ সংখ্যালৈকে ছমাহৰ কাৰণে গ্ৰাহক হৈছিল সেইসকলৰ বৰঙনি এই সংখ্যাতে শেষ হল। আমি আশা কৰিছো এইসকল আৱাহনৰ হিতাকাঙ্খীয়ে বৰঙনিৰে (এবছৰৰ বাবে ৫॥০ টকা আৰু ছমাহৰ বাবে ৩৲ টকা) কাকতখনলৈ তেখেতসকলৰ সহায় আগবঢ়াই ইয়াৰ মঙ্গল সাধন কৰিব। কাৰাবাৰ ব্যক্তিগত অসুবিধা অলপ থাকিলেও অসমত ম'হেকীয়া কাকতৰ অভাৱলৈ চাই, বিশেষকৈ আৱাহনৰ দৰে আলোচনীৰ খৰচৰ বহুলতালৈ মন কৰি সদাশয় গ্ৰাহকসকলে যেন ইয়ালৈ সহানুভূতি দেখুৱাবলৈ পাছ নপৰে। ৰাইজে নখ জোকাৰিলে নদী বয়। ৰাইজৰ কৃপাতে যোৱা কেবছৰ আৱাহনৰ কাম যিমান খিনি সম্ভৱ সুকলমে চলি গৈছে। এতিয়াও আশা কৰিছো দিন যিমান বেয়া নহক অন্ততঃ আমাৰ জাতীয় অভাৱলৈ চাই পুৰণি গ্ৰাহকসকলে যেন আৱাহনলৈ মৰম নেৰে।

বৰঙনি শেষ হোৱা গ্ৰাহকসকলে অনুগ্ৰহ কৰি অহা বহাগ মাহৰ ২৮ তাৰিখৰ ভিতৰত আহি পোৱাকৈ টকা মনি অৰ্ডাৰ কৰে যেন। যিসকলৰ টকা সেই তাৰিখৰ ভিতৰত আহি নাপাব তেখেতসকললৈ অহা বহাগ মাহৰ (৭ম) সংখ্যা ভি, পি, কৰি পঠোৱা হব। নিতান্ত এৰিব নোৱাৰা কাৰণত গ্ৰাহক থাকিবলৈ যদি কোনোবা অপাৰগ থাকে তেখেতে অহা বহাগ মাহৰ ২০ তাৰিখৰ ভিতৰতে আমাক জনালে ভাল হয়। এই দুৰ্দ্দিনত ভি, পি, ফিৰং হলে বহুত ক্ষতি হয়। যিসকলে মনি অৰ্ডাৰ কৰি টকা পঠাব তেখেতসকলে যেন অনুগ্ৰহ কৰি কুপনত নিজৰ নাম, ঠিকনা আৰু গ্ৰাহক নম্বৰ লিখে। নিলিখিলে বহুত সময়ত অসুবিধা হয়।

ৰঙালি বিহুৰ ওলগনি

আনন্দ-উৎসৱ উপভোগ কৰিব পৰাই জীৱন্ত জাতিৰ লক্ষণ। বিষাদে মনক দমাই ৰাখে। হৰিষে মনৰ শক্তি বঢ়ায়। বিহু অসমীয়াৰ জাতীয় উৎসৱ—ব্যাপক আৰু মহৎ উৎসৱ। বিহুত অসমীয়াৰ আয়োজনৰ অন্ত নাই, উৎসাহ আৰু হৰিষৰ সীমা নাই। আজি কেবছৰমানৰ

পৰা অসমীয়া জাতিৰ মনৰ গতিৰ পৰিবৰ্ত্তন দেখা হৈছে। অসমীয়াই নিজৰ নিজত্ব উপলব্ধি কৰিবলৈ, নিজৰ যি তাক সাদৰি লবলৈ নিজ-জাতিৰ মহত্ব বিশেষত্বলৈ সন্মান দেখুৱাবলৈ আগবাঢ়িছে। আকৌ আজি কেবছৰমানৰ পৰা বিহুলৈ মানুহৰ আগ্ৰহ আৰু উৎসাহত সচাকৈ দেশত এটা নতুন আশাৰ জিলিঙনি পৰিছে। যদিও দেশত অনাটন, অৰ্থৰ অভাৱ যদিও দেশবাসীৰ বহুতে লাঞ্ছিত, নিগৃহীত, দেশাত্মবোধ ক্ষুণ্ণ—গোটেই দেশকে বিষাদৰ মলিন ছায়াই ঢাকি ধৰিছে; তথাপি এই জাতীয় উছৱৰ শুভ আগমনত এন্ধাৰৰ ছায়াৰ মাজেদি জেউতি বিৰিঙি ওলাইছে। যাৰ যি শক্তি সেই অনুসাৰে সকলোৱে বিহুৰ ওলগনি যাচিছে। আমাৰ শক্তি তাকৰ সম্বল নিচেই হীন—আশা কৰোঁ সেই বুলি কেৱে নেনেওচিব। আমি কেৱল আমাৰ অন্তৰৰ শ্ৰদ্ধাৰ অঞ্জলি আৱাহনৰ গ্ৰাহক-গ্ৰাহিকা, পাঠক-পাঠিকা আৰু অনুগ্ৰাহক-অনুগ্ৰাহিকাসকললৈ আগ বঢ়ালো। আৰু আশা কৰিলো বিহুৰ মহৎ প্ৰেৰণাই আমাৰ মাজত জাতীয় ভাৱ জগাই জাতিৰ মুক্তি আৰু সৰ্ব্বাঙ্গীন উন্নতিৰ বাটত আগবঢ়াই দিব।

আমাৰ প্ৰদেশখনৰ নাম উচ্চৰণ কৰা আৰু লিখা

আমাৰ প্ৰদেশৰ নাম লিখোতে কিছুমানে 'আসাম' লিখে আৰু কিছুমানে 'অসম' লিখে। কওঁতে আকৌ তাতোকৈ বেছি গোলমাল হয়। কিছুমানে 'স'ৰ উচ্চাৰণ বঙালী ধৰণে কৰি 'আসাম'ৰ উচ্চাৰণ 'আচাম' কৰে। আন কিছুমানে ঠিক তেনে ধৰণে অসমক অচম বোলে। বাকী সকলৰ কিছুমানে 'স'ৰ উচ্চাৰণ ঠিক অসমীয়া ধৰণে কৰি 'আসাম' কয়; আন কিছুমানে অসম বোলে। কিন্তু আমাৰ জাতিটোৰ নাম লিখোতে মাথোন অসমীয়াহে লিখা হয়—কওঁতে অৱশ্যে কিছুমানে সৰ উচ্চাৰণ ঠিক অসমীয়াকৈ ৰাখি কয় আৰু বাকীসকলে কৈ অহাদৰে অসমীয়াৰ উচ্চাৰণ অচমীয়া কৰি কয়। অৱশ্যে কোৱা বাহুল্য যে উচ্চাৰণত যি'কি নহক অসমীয়া শব্দ অসমৰ পৰাহে আহিছে। গতিকে আসাম লিখা এই ফালৰ পৰা চালেও নিৰৰ্থক।

এই বেমেজালিকে লক্ষ্য কৰি যোৱা ফাগুন সংখ্যা আৱাহনত ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ডাঙৰীয়াৰ 'সোণৰ অসম' বুলি এটি পাণ্ডিত্য আৰু যুক্তিপূৰ্ণ আৰু বহল আলোচনাৰ প্ৰবন্ধ প্ৰকাশ হৈছে। ইয়াৰ আগেয়ে ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়াই তেখেতৰ সম্পাদিত ১৮৪১ শ'কৰ ২৪ আহাৰ তাৰিখৰ "অসম বন্তি"ৰ লেছেৰি-বোটলাৰ ভিতৰত এই দৰে আলোচনা কৰি গৈছিল—

"Assam" ।—ইংৰাজীকৈ লিখা আমাৰ দেশৰ "Assam" নামটো অসমীয়াকৈ লিখোতে "অসম" লিখিলে কিবা ভুল হব নে?—নহয়। হয় যদি, সেই শব্দৰ ইংৰাজী আখৰ-জোঁটনিতে ভুল হব পাৰে। কিয়নো, এই 'Assam' শব্দৰ root বা মূল বিচাৰ কৰিলে 'অসম' শব্দৰ মূলত হে ওলাবগৈ। পোনতে, এই অসমদেশ ইংৰাজৰ হাতলৈ যোৱাত ইয়াক 'Assam' অৰ্থাৎ 'অসম' বোলা হৈছিল। তেতিয়া উচ্চাৰণ কৰোতে এই 'অসম' শব্দৰ স আখৰটো স হৈয়ে ৰৈছিল। কাৰণ, তেতিয়া তাক ইংৰাজীলৈ এইদৰে নিয়া হৈছিল; যেনে,—অ=A+স =ssa+ম=m (অসম=Assam)। কিন্তু,দৈব-দুৰ্ব্বিপাকত, তাৰ অলপ পাচতে এই দেশত বঙ্গলা ভাষাৰ প্ৰাদুৰ্ভাৱ বিস্তাৰ হয়। গতিকে, অসমীয়া স আখৰটোৰ উচ্চাৰণ বঙ্গালী কৰ্ম্মচাৰীৰ যোগে ইংৰাজৰ মুখত চ হবলৈ ধৰিলে। তাৰ ঘাই কাৰণ এই যে, অসমীয়াত বাজে আনৰ পক্ষে অসমীয়া স আখৰটো বিশুদ্ধকৈ উচ্চাৰণ কৰা উজু নহয়। গতিকে, 'অসম' শব্দটো 'অচম' বুলি উচ্চাৰিত হবলৈ ধৰিলে। সেই উচ্চাৰণমূলক 'অচম' শব্দৰপৰাই 'আচাম' হৈছে। 'Assam' শব্দটোক 'আচাম' বা "আসাম" বুলি উচ্চাৰণ কৰিলে তাৰ আচল অৰ্থও নৰয়, উচ্চাৰণো নহয়। সি অপভ্ৰংশ মাথোন। এতেকে, আমাৰ দেশখনৰ নাম লওঁতে আমি বা অন্যে লিখাত আৰু উচ্চাৰণত 'অসম' বোলা হে উচিত; 'আসাম' বা 'অসম' বুলি অশুদ্ধ উচ্চাৰণ কৰিলে উচ্চাৰণ আৰু মূলত বিষমকৈ আঘাত লাগে।

পিছে আজি ৪ বছৰৰ আগেয়ে আৰু যি সেই বিষয় নহয় আমাৰ নিজ জাতি আৰু দেশৰ নামৰ এনে এটা লাগতিয়াল বিষয়ে আলোচনা হোৱাতো আজিও এই সম্বন্ধে লিখা আৰু

কোৱাত গোলমাল চলা আমাৰ বুধা সংৰক্ষণৰ অভ্যাসৰ পৰিচয় ওলাই পৰিছে।

গেটে স্মৃতি-উৎসৱ

ষোৱা মাৰ্চৰ ২২ তাৰিখে জাৰ্মান মহাকবি গেটেৰ পৰলোক-প্ৰয়াণৰ এশ বছৰ পূৰ্ণ হৈছে। সিদিনা কেৱল জাৰ্মানীতে নহয়, পৃথিবীৰ সকলো সভ্য দেশতে এই কবিৰ উদ্দেশে স্মৃতি-পূজাৰ শ্ৰদ্ধাঞ্জলি দান কৰিছে। ভাৰতৰ বিভিন্ন প্ৰদেশতো অনুষ্ঠান ব্যৱস্থা কৰা হৈছিল।

মহাৰাজ বিক্ৰমাদিত্যৰ বিদ্যানুৰাগিতাত যেনেকৈ অসমৰ কবিসকলেৱে নবৰত্ন সভা গঠিত হৈছিল, ঠিক সেইদৰে জাৰ্মানীৰ হাইমাৰ দেশৰ ৰজা কাল আউণ্ডষ্টৰ চেষ্টাত তেওঁৰ সভাত সেই কালৰ শ্ৰেষ্ঠ জাৰ্মান মনীষীসকলৰ সমাবেশ হৈছিল। গেটে, খালাৰ, হ্বীলাণ্ড, হাৰ্ডাৰ প্ৰভৃতি কবিসকলৰ নাম জগতৰ বুৰঞ্জীত চিৰস্মৰণীয়। তাৰ ভিতৰত গেটে এই পণ্ডিত সভাৰ উজ্জ্বলতম ৰত্ন আছিল। পৃথিবীয়ে তেওঁক প্ৰধানতঃ মহাকবি বুলিয়েই জানে, কিন্তু বসায়ন, উদ্ভিদবিদ্যা, জীৱবিজ্ঞান, ৰাজনীতি আদিতো গেটেৰ অগাধ ব্যুৎপত্তি আছিল। ক্ৰমবিকাশ-তত্ত্বত ডাৰউইনৰ যি সম্মান, গেটেলো সেই সম্মান। ৰাজনীতিত তেওঁৰ পাণ্ডিত্য আছিল অসাধাৰণ। হাইমাৰ ৰাজ্য তেওঁৰ পৰামৰ্শেৰে সেই কালত চালিত হৈছিল।

গেটেৰ আগেয়ে জাৰ্মানীত জাতীয় চৈতন্য উদয় হোৱা নাছিল। গেটেৰ চেষ্টাত খীলাৰৰ ভাৰুকতা আৰু হাৰ্ডাৰৰ স্বাদেশিকতাৰ মাজেদি সেই চৈতন্যৰ সৃষ্টি হয়। গতিকে গেটেক জাৰ্মান জাতীয়তাৰ জনক বুলি সম্মান কৰা হয়। গেটে আৰু হাৰ্ডাৰে ভাৰতীয় সাহিত্য এনে অনুৰাগিতাৰে চৰ্চ্চা কৰিছিল যে গেটেৰ জীৱন সকুন্তলাময় হৈ পৰিছিল আৰু তেওঁৰ ৰচিত প্ৰত্যেক গ্ৰন্থতে এটি প্ৰাচ্য সৌন্দৰ্য্য উপভোগ কৰা যায়। এই দুজনা মহাপুৰুষৰ মাজেদি জাৰ্মানীয়ে ভাৰতীয় সাধনাৰ সম্যক্ পৰিচয় পায়।

অসমতো গেটে-সাহিত্যৰ আলোচনা হোৱা আৰু এই মহাকবিৰ স্মৃতি পূজা কৰা বাঞ্ছনীয়। আমি আজি গেটে-শতবাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধাৰ অঞ্জলি আগ বঢ়াইছোঁ।

অসমীয়া বাতৰি-কাকত আৰু আলোচনীবিলাকৰ বিহু-সংখ্যা

আজি কেইবছৰমানৰ আগৰে পৰা আৰম্ভ হোৱা অসমৰ জাতীয় জাগৰণৰ ভাবটো আহি এতিয়া কাৰ্য্যকৰী অৱস্থা পোৱা যেন বোধ হৈছে। যিফালে চোৱা যায়, সেই ফালেই সকলোৱে জাতীয় ভাবেৰে উদ্বুদ্ধ আৰু জাতীয় গৌৰৱেৰে অনুপ্ৰেৰিত। এনে অনুপ্ৰেৰণা আৰু জাতীয় ভাবৰ সোঁত বেছিকৈ বয় আৰু বাঞ্ছিত ইষ্ট লাভ হয় তেতিয়াহে যেতিয়া সাহিত্যৰ ভিতৰেদি জাতিৰ আশা-আকাঙ্খাৰ ৰূপ মূৰ্ত্ত হৈ উঠে। সাহিত্যৰ লগত জাতিৰ সম্বন্ধ যেনে অতি নিগূঢ় তেনেই অবিচ্ছেদ্য। জাতীয় সাহিত্যৰ যথেষ্ট বিকাশ সাধন হলে জাতিৰ মুক্তিৰ আৰু উন্নতিৰ বাট পোহৰ হৈ আহে। সুপ্ত, অহসাদগ্ৰস্ত, আত্ম-বিস্মৃত জাতিক জাগ্ৰত, কৰ্ম্মৰত আৰু আত্মপ্ৰতিষ্ঠ কৰি তুলিবলৈ এই সাহিত্যই অমোঘ অস্ত্ৰ। এই সাহিত্যৰ ভিতৰেদি নানা পৰিবৰ্ত্তন আৰু নতুন ভাবৰ সোঁত জাতিৰ মনোৰাজ্যত প্ৰবেশ কৰি তাক ধন্য কৰি দিয়ে।

ৰৱ সুখৰ কথা আমাৰ দেশতো আমাৰ সাহিত্যসেৱী সকলে এই মহান ব্ৰত হাতত লোৱা দেখা গৈছে। অসমীয়া সাহিত্যিক সকলৰ লিখা আৰু চিন্তাধাৰাৰ ভিতৰেদি জাতীয় সোঁত ৰবলৈ আৰু জাতীয় বৈশিষ্ট্য সৃষ্টি উঠিবলৈ ধৰিছে। দেশৰ বাতৰি কাকত আৰু আলোচনী-বিলাকৰ বিহু সংখ্যাবিলাকে শিক্ষিত জনসমাজৰ মাজত জাতীয় মহত্ব আৰু জাতীয় গৌৰৱৰ ভাব বঢ়াই তোলাত সহায় কৰিব লাগিছে। আমি এনে ধৰণৰ চেষ্টাৰ উপযোগিতা উপলব্ধি কৰিছোঁ। আৰু ইয়াৰ ভিতৰতে "অসমীয়া" কাকতৰ 'বিহু' সংখ্যা দেখি ৰৱ ৰং পাইছোঁ।

বিদায়ৰ সময়ত স্যাৰ লৰী হেমণ্ডৰ আষাৰ চেবেক বাণী

ষোৱা ১৬ মাৰ্চ্চ তাৰিখে অসম ব্যৱস্থাপক সভাত বিদায় বক্তৃতা দিওঁতে গভর্ণৰ স্যাৰ লৰী হেমণ্ডে হিতোপদেশ বচন এটা মাতিছিল যে—"মেতিয়ালৈকে সাম্প্ৰদায়িক ভাব এৰিব পৰা নাযায় তেতিয়ালৈকে কোনো গণতন্ত্ৰমূলক শাসনেই সফলকাম হব নোৱাৰে।" সেই নিমিত্তে তেওঁ আশা কৰে যে ভবিষ্যতলৈ যেনে ধৰণৰ শাসন প্ৰবৰ্ত্তন কৰা হয় তাত ৰাজনীতিৰ ভিতৰলৈ ধৰ্ম্ম-মূলক বিষয় আনিলে নচলিব। এই কথাৰ লগত তেওঁৰ আন্তৰিকতাৰ সম্বন্ধ শূন্য—এনে ধৰণৰ ভাব মনত অহাতকৈ বেছিকৈ আহে জানোৱা স্যাৰ লৰীয়ে তেওঁৰ অভিজ্ঞতাৰ পৰা মৰ্লি-মিণ্টো সংস্কাৰৰ ফুলফলকে লক্ষ্য কৰিছে, জানোৱা ১৯১৯ চনৰ এই শাসননীতিৰ ফলত হোৱা সাম্প্ৰদায়িক নিৰ্ব্বাচনক কেবোগকে আঙুলিয়াইছে। তেওঁ যি ভাবিছে নকক সাম্প্ৰদায়িক সমস্যাই এনেভাৱে অসুবিধা সৃষ্টি কৰাৰ মূলত ভাৰতীয় অৱস্থাতকৈ মৰ্লি-মিণ্টো শাসন ৰব বেছিকৈ দায়ী বুলি ভাৰতীয় জাতীয়তাবাদী নেতাসকলে ভাবি আহিছে। এতিয়া অন্ততঃ অসমৰ গভর্ণৰ এজনৰ চকুতো এই ভুল ধৰা পৰা ৰব সুখৰ কথা হৈছে। আমি আশা কৰিছো অদূৰ ভবিষ্যতে স্যাৰ লৰী হেমণ্ডে আঙুলিওৱা কথা ভাৰত গভর্ণমেণ্টৰ ওৰিয়ালসকলেও বুজিবলৈ বাকী নাথাকিব।

গভর্ণৰ স্যাৰ লৰীৰ আন এবাৰ কথাৰ উদ্দেশ্য কিন্তু আমি আমাৰ পক্ষে ৰব হিতজনক বুলি ভাবিব পৰা নাই। তেওঁ অসমৰ ভবিষ্যত উচ্চাঙ্গৰ শাসন প্ৰণালী ৰচনাৰ বিষয়ত চিলেটৰ ভাগাৰ লগত অসমৰ ভাগ্য মিলাবলৈ কোৱা এই মেৰপাকৰ কথাখিনিত অসমীয়া জনসাধাৰণৰ আতঙ্ক উপস্থিত হৈছে। আৰু তেওঁলোকে তাত ক্ষুব্ধ বোধ কৰিছে—"I do hope that in the future, if not in the present, you may be able to have a general constituency representing all and sundry, which will replace the strictly communal, tribal & all other constituencies with special interests. So too as regards the inter-valley jealousy which one cannot but notice in this province. To me it seems that in the past there would have been no Assam but for Sylhet & that in the future there will be no Sylhet but for Assam." এই শেষৰ বাক্যটোত অসমীয়া জাতিয়ে ইমানখিনি আঘাত পাইছে যে এই কেদিনৰ ভিতৰতে অসমৰ প্ৰায় সকলো কাকত-পত্ৰতে তাৰ দুৰ্ব্বাৰ প্ৰতিবাদ প্ৰকাশ হৈছে।

আমিও এই কথাৰ প্ৰতিবাদ কৰিছোঁ।

এটা ৰহস্য

চিলেট আগেয়ে অসমৰ লগত চামিল নাছিল। স্বাধীন অসম থকাৰ সময়ত শ্ৰীহট্ট বঙ্গদেশৰ নবাৰৰ তলতীয়া আছিল। মাত্ৰ বুটিছৰ আমোলত ১৮৭৪ খৃষ্টাব্দত হে ইয়াক অসমৰ লগত জোৰা দিয়া হৈছিল। কিন্তু হলেও তেতিয়াৰ পৰা বৰ্ত্তমানলৈকে শ্ৰীহট্টবাসীয়ে অসমৰ লগত মিল খাবলৈ চেষ্টা কৰাৰ পৰিবৰ্ত্তে বঙ্গদেশৰ লগতে বাহি মিলাই চলিবলৈ বিচাৰি আছে। কেবাবাৰো অসম কাউন্সিলত চিলেটবাসীয়ে বঙ্গভুক্ত হবলৈ প্ৰস্তাৰ তুলি আছিল। বঙ্গদেশৰ লগত পৰাপক্ষত সকলো সম্বন্ধ বঙ্গায় বাখিয়ে চলিছে। অসমীয়াই তাত হাক-বাধা দিয়া নাই। চিলেট কংগ্ৰেচ কমিটি অসম প্ৰাদেশিক কংগ্ৰেচ কমিটিৰ অন্তর্গত নহৈ বঙ্গীয় প্ৰাদেশিক কমিটিৰ অন্তর্ভুক্তহে। শ্ৰীহট্টবাসীৰ বঙ্গদেশৰ লগত পুনর্মিলন উৎসৱৰ সমাবোহ সকলো অসমীয়াই চোৱাৰ সৌভাগ্য নহলেও তাৰ কথা শুনুনাকৈ থকা নাই।

তেনে অৱস্থাতো এইবাৰ অসম কাউন্সিলৰ অধিবেশনত ৰায় বাহাদুৰ শ্ৰীযুত নীলাম্বৰ দত্ত ডাঙৰীয়াই চিলেটক বঙ্গদেশলৈ নিবলৈ তোলা প্ৰস্তাৰৰ বিপক্ষে চিলেটৰ সৰহ ভাগ মুছলমান আৰু কোনো কোনো হিন্দু প্ৰতিনিধিও থিয় হোৱাৰ অর্থ কি? আমি জনাত তাৰ হিন্দু-মুছলমান সকলোৱে বঙ্গভুক্ত হবলৈ আগ্ৰহান্বিত আছিল।

চিলেটৰ মুছলমানসকলৰ কিছুমানে জানোবা বঙ্গদেশলৈ গলে অসমত মুছলমান হিচাপে ভোগ কৰিবলৈ পোৱা সুবিধা তাত নাপাব বুলি পিছ হুইকিৰ খোজাটোৱে সম্ভৱ হব পাৰে। আকৌ বঙ্গদেশলৈ গলে ছয়ো ঠাইলৈ মুছলমান সম্প্রদায়ৰ দাবীৰ মাত্রাত কিছু বাধা পৰিব পাৰে বুলিও হব পাৰে। সি যি কি নহওক এই বিষয়ত সদায় আগবঢ়োৱা হিন্দুসকলৰ বহুতে এইবাৰ হুইকাৰ কাৰণ কেবাটিও বুলি অনুমান হয়। ১ম কাৰণ, চিলেট যে নিজৰ ব্যয় সঙ্কুলান কৰিব নোৱাৰা জিলা সেইটো ইমান দিন এনেদৰে আলোচনা হোৱা নাছিল। যোৱা চেণ্টেম্বৰৰ অসম কাউন্সিলৰ অধিবেশনত সি ভালদৰে ওলাই পৰিল। অসমৰ ওপৰত এনে অন্নস্থাতো যে সুবিধা পাই আছে; ইয়াৰ পৰা আঁতৰ হলে সি নথকাই সম্ভৱ। তাৰ পিছত আকৌ বঙ্গদেশৰ সকলো মানুহৰো চিলেটৰ ওপৰত সদৰয় ভাব আছে বুলি কৰ নোৱাৰি। চিলেটৰ বঙ্গভুক্তি সকলোৱে সমান চকুলে নাচায়। কিন্তু চিলেটৰ বঙ্গাণুগত্য অনিবাৰ্য্য। বঙ্গদেশলৈ যাবলৈ নাপালেও বঙ্গদেশৰ লগত সম্বন্ধ ৰাখিবই লাগিব। ইফালে কিছুমান বঙালীয়ে গোটেই অসমকে কালক্রমে বঙ্গদেশৰ বুকুত টানিবলৈ পাৰে। এই চেষ্টাৰ লগত যোগ ৰাখিবলৈ বিচৰাও চিলেটৰ এইসকলৰ আন এটা উদ্দেশ্য হব পাৰে। যি কি নহওক শ্রীহট্টবাসীসকলৰ উদ্দেশ্য এনে নানা চাতুর্য্যপূর্ণ হোৱা সত্ত্বও ৰাধি ললেও গভর্ণমেণ্টৰ মতব বহুত বাহিৰ কৰা আৰু অনুমান কৰা টান।

ইয়াৰ আগেয়ে আৰু এবাৰ যেতিয়া শ্রীহট্ট বঙ্গদেশলৈ যোৱা বিষয় লৈ অসমত আৰু শ্রীহট্টতো আন্দোলন চলিছিল তেতিয়া ভাৰত গবর্ণমেণ্টৰ জইণ্ট ছেক্রেটৰীয়ে অসম গভর্ণমেণ্টক এইদৰে পৰামর্শ দিছিল "Any change in the Status of Assam would involve an amendment of the Government of India Act and therefore, at any rate, Assam would remain a Governor's Province." অর্থাৎ অসমৰ সম্মানৰ লাঘৱলনি কৰিবলৈ হলে ভাৰতগভর্ণমেণ্টৰ এক্টলৈ সলনিৰ আৱশ্যক হব। গতিকে,যেনেতেনে অসমক এখন গৱর্ণৰ শাসিত প্রদেশ কৰি ৰাখিবই লাগিব। শ্রীহট্ট বাদ গলেও যে অসম গভর্ণৰ শাসিত প্রদেশ হৈ থাকিব পাৰে আৰু তেনেহলে ইয়াৰ অৱস্থা ভাল হব বুলিয়ে আশা কৰিব পাৰি এনে কথা সেই সময়ৰ অসমৰ চিফ চেক্রেটৰীয়ে কৈ গৈছে,—"Sylhet is a deficit district. The province of Assam would on the transfer of Sylhet to Bengal, be in a much better position financially than it is at present. Financially therefore the maintenance in the existing system of administration would be a lighter burden on the reduced province of Assam than it is on the existing province. In other respects, it would be perfectly feasible to maintain Assam as a major province."

ইয়াৰ তাৎপর্য্য—চিলেটে নিজৰ ব্যয় সঙ্কুলান কৰিব নোৱাৰে। ই গলে অসমৰ শাসনভাবৰ বোজা কমিব। অসম এখন গভর্ণৰ শাসিত দেশ হৈ থকাত একো বাধা নপৰিব। তথাপি সিদিনা স্যাৰ লৰী হেমণ্ডে "শ্রীহট্ট নোহোৱা হলে অসম নহল হেতেন আৰু ভবিষ্যতে অসৰ অস্তিত্বৰ ওপৰতে চিলেটৰ অস্তিত্ব নির্ভৰ কৰিছে" বুলি অসমীয়া মানুহক চিলেটৰ লগত একেলগে বঠা মাৰিবৰ উপদেশ দিয়াৰ তাৎপর্য্য আমি একো ধৰিব পৰা নাই।

অসমীয়াৰ বর্ত্তমান কর্ত্তব্য

গভর্ণৰৰ কথাই অসমীয়াৰ কর্ত্তব্যত দিধা জন্মাবলৈ ওলালেও সিদিনা ৰায় বাহাদুৰ দত্ত ডাঙৰীয়াৰ প্রস্তাবৰ উত্তৰ দিওঁতে চিফ চেক্রেটৰী মিঃ জি, ই, চোমচে কোৱা কথাষাবেই বর্ত্তমান সময়ত আমাক বাট দেখুৱাব পাৰে। তেওঁ কৈছে—"The Government of India had ordered that the question of territorial redistribution must stand over untill public opinion expressed itself in definite form & until the new Government and the new constitution come into being." এই জনমতৰ আচল কথা। জনমত প্রবল হোৱাত সিদ্ধ হোলেগ প্রবল হ'ল, সেইবাবেই উৰিষ্যাত সীমা নির্দ্ধাৰণ কমিটি বহিছে এই জনমত সবল হলে অসমৰ বাবেও বেলেগ বিবেচনা কৰিবৰ দিন আহিব পাৰে। তাৰ বাবে ব্যৱস্থা বৈছে, লাগে কেৱল জনমত—শকত—সবল—দৃঢ়। এবাৰ বা ছয়, নাই বা আৰু বহুবাৰ ব্যৱস্থাপক সভাত সি জয়ী হব নোৱাৰিব পাৰে, কিন্তু এদিন নহয় এদিন সি গা কৰি উঠিবই।

সমালোচনা

চোৰৰ সৃষ্টি—

ধেমেলীয়া নাটক। ৭৯+২ পৃষ্ঠাৰ কিতাপ। লিখক শ্রীযুত বেধুৰ ৰাজখোৱা, বি-এ—বেচ এটকা।

অসমীয়া সাহিত্যত ৰাজখোৱা ডাঙৰীয়াৰ নাম নতুন নহয়। ইতিপূর্ব্বে তেওঁ কেবাখনিও উপাদেয় গ্রন্থ লিখি যশস্বী হৈছিল। "চোৰৰ সৃষ্টি" বোলা এই নাটকাখনিতো তেওঁৰ লিখনভঙ্গী ভাল হৈছে। কিন্তু নাকট হিচাপে ই ধর্ণকন্দৰ মনোৰঞ্জন কৰিব পাৰিব বুলি আমাৰ বিশ্বাস নহয়। প্লটটো বেয়া নহলেও বাস্তৱতাৰপৰা আঁতৰাই আনি ইয়াত বহুতখিনি অস্বাভাৱিকতা সুমাই দিয়া হৈছে। ধেমেলীয়া নাটকত বাস্তৱ জগতৰ চিত্র আঁকিব নোৱাৰিলে নাটকৰ মূল উদ্দেশ্য সফল নহয়। তদুপৰি "চোৰৰ সৃষ্টি" নাটকখনিত হাস্যৰসৰ ইমান অভাব যে লিখকে ধেমেলীয়া নাটক বুলি লিলিখা হলে পাঠকসকলে ইয়াক সেই নাম দিয়াটো টান।

লিখকে সমাজৰ কিছুমান পুৰণিকলীয়া আৱর্জ্জনা লক্ষ্য কৰি ভাৰবীয়াসকলৰ কথা আৰু কামৰ মাজেদি সেইবোৰ আতৰোৱাৰ চেষ্টা এটি ফুটাই তুলিছে। আমাৰ বোধেৰে ধেমেলীয়া নাটক লিখিবলৈ চেষ্টা নকৰি তেওঁ ইয়াক সামাজিক নাটক হিচাপে আৰু কিছু বহলকৈ লিখা হলেই বেছি ভাল হলহেঁতেন। ভবিষ্যতলৈ লিখকৰ নিপুণ লেখনীৰপৰা আমি এনে ধৰণৰ সামাজিক চিত্র দেখিবলৈ আশা কৰোঁ।

কিতাপৰ আকাৰ, ছপা আৰু কাকত চাই দাম বৰ বেছিকৈ ধৰা হৈছে। আচলতে ইয়াৰ বেচ কোনোমতে ছ আনাৰ বেছি হব নোৱাৰে।

—শ্রীহৰেন্দ্রনাথ শর্ম্মা, বি-এ

বন্দীবীৰ—

লিখক শ্রীযুত অপূর্ব্বকুমাৰ ভূঞা। বেচ পাঁচ আনা মাথোন।

শ্রীযুত ভূঞা ডাঙৰীয়াই ইতিপূর্ব্বে এনে ধৰণৰ কেবা খনিও সৰু সৰু শিশু সাহিত্য প্রাঞ্জল ভাষাত লিখি প্রকাশ কৰিছে। "বন্দীবীৰ"ত তেওঁ পঞ্চনদৰ অধীশ্বৰ পুৰুৱ বীৰত্ব কাহিনী আৰু বিশেষকৈ গ্রীক সম্রাট আলেক-জেণ্ডাৰৰ লগত তেওঁৰ বাজোচিত ব্যৱহাৰৰ উজ্জ্বল চিত্র এটি সতেজ ভাষাৰে লিখিছে। আলেকজেণ্ডাৰৰ হাতত বন্দী হৈও যি আত্মসম্ভ্রম জ্ঞানৰ প্রভাৱত মহাবাজ পুৰুৱে গ্রীক সম্রাটৰ পৰা "ৰজাৰ প্রতি ৰজাৰ দৰে" সম্মানজনক ব্যৱহাৰৰ দাবী কৰিছিল, আমাৰ এই অধঃপতনৰ দিনত সেই আত্মসম্ভ্রমৰ ভাব দেশবাসী বিশেষতঃ লৰাছোৱালীৰ মনত জগাই তুলিব লগীয়া হৈছে। লিখকৰ এই সৎ প্রচেষ্টাখনিয়ে সেই উদ্দেশ্য সাধনত যথেষ্টকণে সহায়তা কৰিব, সন্দেহ নাই। আমি "বন্দীবীৰ"ৰ বহুল প্রচাৰ আৰু অসমীয়া ৰাইজৰ মাজত তাৰ আদৰ দেখিবলৈ আশা কৰিছোঁ।

পাণিপথ—

১৮৪৩ পিঠিয়া উপন্যাস। লিখক শ্রীযুত শৰৎচন্দ্র গোস্বামী, বি-এ, বি-টি—দাম ডেৰটকা।

কিতাপখনি লিখকে ছাত্রাৱস্থাতে লিখা। ভাৰতৰ ভাগ্যনির্দ্দেশক পাণিপথৰ প্রথম যুদ্ধ অৱলম্বন কৰি লিখা হলেও, লিখকে ইয়াক ঐতিহাসিক উপন্যাস হিচাপে লিখা নাই, আৰু ইয়াৰ বর্ণিত বেছি ভাগ চৰিত্রয়েই কাল্পনিক, এই কথা গোস্বামীদেৱে পাতনিতে প্রকাশ কৰিছে। কিন্তু সেই বুলিও কিতাপখনিয়ে পাঠকৰ মনত আগৰপৰা ওৰিলৈকে এটি ঐতিহাসিক আবহাৱৰ সৃষ্টি কৰে; গতিকে পাঠকে ইয়াক ঐতিহাসিক উপন্যাস নহয় বুলি ভাবিবলৈ স্বাভাৱিকতে টান হয়।

উপন্যাসখনিত যি দুই এটি ঐতিহাসিক চৰিত্র বর্ণনা কৰা হৈছে, তাৰ ভিতৰত সংগ্রামসিংহ এজনা। তেওঁ প্রসিদ্ধ ৰাজপুত বংশৰ মেবাৰৰ ৰাণা, পাণিপথৰ যুদ্ধত

তেওঁৰ স্বদেশ-প্ৰেমিকতাৰ কথা প্ৰত্যেক ভাৰতবাসীয়ে জানে। তেওঁৰ মহিমীক কৰ্ম্মদেৱী নামেৰে অভিহিত কৰা হৈছে। কিন্তু আচলতে কৰ্ম্মদেৱী সংগ্ৰামসিংহৰ নহয়, তেওঁৰ পূৰ্ব্বপুৰুষ সমৰসিংহবহে মহিষী। গতিকে পাণিপথত সংগ্ৰামসিংহৰ মহিষীক কৰ্ম্মদেৱী নামৰ সলনি আন নামেৰে বৰ্ণালেই ভাল হ'ল হেঁতেন।

ছাত্ৰাৱস্থাত লিখা হলেও উপন্যাসখনি পঢ়িবলৈ ভাল হৈছে। মনত ভাগৰ নলগাকৈ আগৰপৰা ওৰিলৈকে পঢ়িব পাৰি। লিখকৰ বৰ্ণনাভঙ্গী আৰু ভাষা মনোৰম। চৰিত্ৰ অঙ্কন বিষয়ত যে লিখকৰ সকলে পৰাই দক্ষতা আছিল, 'পাণিপথে' তাৰ প্ৰমাণ দিয়ে। উপন্যাসৰ প্ৰায়বোৰ চৰিত্ৰই স্বাভাৱিককপে প্ৰকাশ পাইছে। কিন্তু কোনোট চৰিত্ৰ আশাজনককপে ফুটি উঠা নাই। সেই দেখি উপন্যাসখনি পঢ়ি শেষ কৰিলেও কোনোট চৰিত্ৰই পাঠকৰ মনত বিশেষকৈ ঠাই নাপায়, আৰু সহানুভূতিৰ সঞ্চাৰ কৰিব নোৱাৰে। গুলজান, ফিৰোজা, দৌলত, হৰনাথ, বিমলা আদিক আৰু স্পষ্টতৰকপে বৰ্ণনা কৰা উচিত আছিল। ফিৰোজাৰ চৰিত্ৰৰ শেষ অংশ আৰু জালালক অলপ আনভাৱে আঁকিলে ভাল হ'ল হেঁতেন। চৰিত্ৰাঙ্কনৰ অস্পষ্টতা হেতু পাণিপথত উপন্যাসৰ বিশেষত্ব লোপ পাই, ই ঐতিহাসিক বৰ্ণনা হিচাপেহে পাঠকৰ মনত ঠাই পায়। ২৬ বছৰ আগেয়ে লিখা হলেও অসমৰ শ্ৰেষ্ঠতম গল্পলিখক গোস্বামীদেৱে উপন্যাসখনি কিতাপ আকাৰে প্ৰকাশ কৰোঁতে অলপ হাত ফুৰাই দিয়া হেঁতেন ভাল আছিল।

৫২৫৪/আ:

অসম ঐতিহাসিক আৰু প্ৰত্নতাত্ত্বিক গবেষণা বিভাগৰ ১নং বুলেটীন

৪৮+৮ পৃষ্ঠা। দাম এক টকা। প্ৰকাশক অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা, এম-এ, বি-এল—উক্ত বিভাগৰ সহকাৰী ডিৰেক্টৰ।

ভাৰতৰ বিভিন্ন প্ৰদেশবোৰৰ ভিতৰত অসমতে পোন প্ৰথমে প্ৰাদেশিক ভাষাত বুৰঞ্জী চৰ্চ্চা আৰম্ভ হয়। আচলতে চৰ বছৰব্যাপী আহোম ৰাজত্বৰ কাল ডোখৰত বঙ্গ-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতাত ইমান বুৰঞ্জী লিখা হৈছিল যে এই বুৰঞ্জী-সম্পদ অতুলনীয়। কিন্তু এই সম্পদবোৰ নানা ঠাইত নানাভাৱে সিচৰতি হৈ পৰি থাকি সময়ৰ লগে লগে লোপ পাবলৈ ধৰাত অধ্যাপক ভূঞাদেৱৰ চেষ্টাত আজি চাৰি বছৰ পূৰ্ব্বে গৱৰ্ণমেণ্টে এই বুৰঞ্জীবোৰৰ উদ্ধাৰ আৰু আৰশুকীয় গবেষণা কাৰ্য্যৰ সুবিধাৰ বাবে এই বিভাগটো স্থাপন কৰে। ভাৰতৰ আন কোনো প্ৰদেশতে এনে এটি চৰকাৰী সুকীয়া বিভাগ নাই। ভূঞাদেৱৰ অক্লান্ত পৰিশ্ৰমৰ ওপত আজি প্ৰায় আঠে বছৰৰ ভিতৰতে বাজনীতি, ভূগোল, বেহা-বেপাৰ, জ্যোতিষ, ইতিহাস আদি বিষয়ে অশেষ মূল্যৱান পুথি বহুতো উদ্ধাৰ কৰা হৈছে আৰু এই বুলেটীনত এই বিভাগৰ কাৰ্য্যাৱলী বিশদৰূপে বৰ্ণাই বাইজৰ আগত প্ৰকাশ কৰি ভূঞাদেৱে আমাৰ ধন্যবাদৰ পাত্ৰ হৈছে। অসমৰ অতুলনীয় বুৰঞ্জী-সম্পদৰ তুলনাত, যিখিনি এতিয়ালৈকে এই বিভাগে সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে, সি অতি সামান্য অংশ মাত্ৰ। কিন্তু এই সামান্য অংশও কেনে সম্পদশালী, তাক চাই অনুসন্ধিৎসুসকলে ভবিষ্যৎ গবেষণাৰ বাবে উৎসাহ শক্তিৰ যে তাত কোনো সন্দেহ নাই। অসমত সুকীয়া বিশ্ববিদ্যালয় নোহোৱালৈকে এই প্ৰাচীন সম্পদবোৰৰ সম্পৰ্কে আশাজনককপে গবেষণা কৰাৰ সুবিধা নাই। কিন্তু এই অসুবিধাৰ মাজতো চৰকাৰৰ পৃষ্ঠপোষকতাত শ্ৰীযুত ভূঞাদেৱে যি বহুবাৰি উদ্ধাৰ কৰিছে, তাৰ বাবে তেওঁ কেৱল অসমীয়াৰ নহয়, ভাৰতবাসীবো প্ৰশংসাৰ যোগ্য। অসমীয়া বাইজে তেওঁৰ কাৰ্য্যত সকলো প্ৰকাৰে সাহায্য দান কৰি এই বিভাগৰ কাৰ্য্যক পৰিসৰ বহলাবলৈ চেষ্টা কৰা উচিত। এই বিভাগেই অসমৰ ভবিষ্যত বিশ্ববিদ্যালয়ৰ কেন্দ্ৰৰূপে বিবেচিত হব বুলি আমাৰ বিশ্বাস।

—সমালোচনাৰ্থে পোৱা পুথি—

কামৰূপ শাসনাবলী—শ্ৰীযুত পদ্মনাথ ভট্টাচাৰ্য্য।

১৩নং বৃন্দাবন মল্লিক লেন কামৰূপ প্ৰেছত শ্ৰীঅপূৰ্ব্ব কুমাৰ ভূঞা দ্বাৰা মুদ্ৰিত, ডাঃ দীননাথ শৰ্ম্মা দ্বাৰা প্ৰকাশিত।

৫২৫৪/আ:
১০. ৬. ৯৯



'বিহ-নিছে আহা, কুঞ্জ কাননত
প্ৰেমিকা বসন্ত বাণী'—বঘুনাথ

Printed at Jewel of India Press, Calcutta. শিল্পী—শ্ৰীপ্ৰকাশচন্দ্ৰ বৰুৱা

ASSAM SAHITYA SABHA

৫৫৫/অ:



৩য় বছৰ ৭ম সংখ্যা | আৱাহন | বহাগ ১৮৫৪ শক

ৰৰপেটা

কবিতা— —শ্রীযুত শৈলধৰ ৰাজখোৱা, বি-এ

অসমৰ কাশীপুৰী, দ্বাৰকা মথুৰপুৰী,
অসমৰ ৰৰপেটা ধাম,
চাই যোৱা বাটকৰা পৰাণ জুৰাই যোৱা,
শুনি যোৱা হৰি-গুণ-গান।

পূৰ্ণব্ৰহ্ম অৱতাৰ সেই মহাপুৰুষৰ
পদ-ৰজ-পূতপুণ্য থান,
ইথানৰ প্ৰতি অণু ৰালিকণা পৰমাণু,
শুনে নিতে হৰি-গুণ-গান।

আকাশত হৰিনাম বতাহত হৰিনাম,
হৰিনাম শিশুৰ মুখত,
নাৱে নাৱে হৰিনাম ই যেন বৈকুণ্ঠধাম,
হৰিনাম বঁাৰ কোবত।

আকাশী চবায়ে মাতে 'ৰামবোল' 'হৰিবোল',
গছে-পাতে হৰিগুণ গায়,
নিজান বননি জিনি হৰিৰ মহিমা শুনি,
শোক-তাপ দূৰতে পলায়।

জনমত হৰিনাম বিবাহত হৰিনাম,
হৰিনাম বিভ-উৎসৱত,
নাৱৰীয়া নাও বাই হৰিৰ মহিমা গায়,
বৰনৈৰ বিমল বুকত।

সবল সুন্দৰ হাতে বঁা ধৰি ডেকাইতে
নাও খেলে তিথি-উৎসৱত,
'ৰামবোল', 'হৰিবোল', চাবে চাবে উঠে বোল,
হৰি বুলি নাচে উলাহত।

চউপাশে তাল-খোল মৃদঙ্গৰ মহাবোল
থানে থানে হৰিসঙ্কীৰ্ত্তন,
সুখী-দুখী, পাপী-তাপী চাই যোৱা কায চাপি
মানৱৰ ই মহামিলন।

নাই পূজা আৱাহন নাই বলি বিসৰ্জ্জন,
উচ্চ-নীচ ভেদাভেদ জ্ঞান,
নাই কাৰো উচ্চাসন নাই কাৰো নীচাসন,
হৰিভক্ত সকলো সমান।

ইহেন আদৰ্শ লই আহিছিলা ধৱালই,
হে দেৱতা! অসম ভাগ্যত,
সাম্যমন্ত্ৰ হৰিনাম পৱিত্ৰ কীৰ্ত্তন থান
এৰি গলা ই মহাতীৰ্থত।

এয়ে সেই পুণ্যভূমি যিখানত নিজে তুমি
থানে থানে ধৰ্ম্মসত্ৰ পাতি,
নানা শাস্ত্ৰ ব্যাখ্যা কৰি মাতৃভাষা পূৰ্ণ কৰি
গঢ়ি গলা অসমীয়া জাতি।

ভাষাৰ জননী তুমি জাতিৰ জনমভূমি,
সাম্যমন্ত্ৰ প্ৰচাৰা ধৱাত,
সেই মহামন্ত্ৰ জপি মুক্ত হ'ক পাপী-তাপী,
বিশ্বপ্ৰেম জাগ'ক প্ৰাণত।

মণিশৈল বা মণিকূট পৰ্ব্বত

— ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা

"হয়গ্ৰীৱ নামে আৰো ভৈলা অৱতাৰ।
তপ সুৱৰ্ণৰ বৰ্ণ শৰীৰ তোমাৰ॥
তোমাৰ সুন্দৰ সিটো নাসিকাৰ হন্তে।
বাজ ভৈল চাৰিবেদ নিশাস কাঢ়ন্তে॥"
—কীৰ্ত্তন

কামৰূপ জিলাৰ ভিতৰত হাজো এখন অতি প্ৰাচীন আৰু প্ৰসিদ্ধ ঠাই। এই হাজোৰ ঘিটো পৰ্ব্বতৰ ওপৰত হয়গ্ৰীৱ মাধৱৰ মন্দিৰ আছে, তাৰ নাম মণিশৈল বা মণিকূট। আকৌ, উত্তৰ গুৱাহাটীৰ ঘিটো পৰ্ব্বতৰ ওপৰত মণিকৰ্ণ বা মণিকৰ্ণেশ্বৰ শিৱৰ দেৱালয় আছে, তাকো মণিশৈল বা মণিকূট বোলা হয়। "যোগিনীতন্ত্ৰত" লিখা আছে—

"আমন্ত্ৰিং মণিপৰ্য্যন্তমাচিত্ৰাস্ গন্ধমাদনম্।
পঞ্চক্ৰোশমিদং দেবি সৰ্ব্বেষামেব দুৰ্ল্লভম্॥
ব্ৰহ্মাবিষ্ণুস্তবেশাদ্যৈঃ সেৱিতং পৱমাদ্ভুতং।
দেৱা মৱণমিচ্ছন্তি কা কথা মানুষেষু চ॥"
—একাদশ পটল, ৩০শ্লোক

অৰ্থাৎ হাজোৰ মণিশৈলৰ পৰা উত্তৰ গুৱাহাটীৰ মণিশৈললৈকে আৰু গন্ধমাদন পৰ্ব্বতৰ পৰা চিত্ৰাচললৈকে এই চৌহদৰ ভিতৰৰ পাঁচ ক্ৰোশ ঠাই সকলোবে পক্ষে দুৰ্ল্লভ। এই অতি অদ্ভুত ঠাইডোখৰক ব্ৰহ্মা, বিষ্ণু আৰু ইন্দ্ৰ আদিয়ে সেৱা কৰি থাকে। মানুহৰ কথা কি কম, দেৱতাসকলেও এই ঠাইত মৰিবলৈ বাঞ্ছা কৰে।

গুৱাহাটীৰ নৱগ্ৰহ দেৱালয় থকা পৰ্ব্বতটোৰ নাম চিত্ৰাচল। হাজোৰ ঘিটো পৰ্ব্বতক আজিকালি "পোৱা মক্কা" বোলা হয় তাৰ নাম আছিল গৰুড়াচল। গৰুড়াচলৰ দক্ষিণ-পশ্চিমে ভূঙ্গেশ্বৰ পৰ্ব্বতৰ ওচৰত থকা পৰ্ব্বতটোৰ নাম গন্ধমাদন।

"ভস্মকূটস্তু চৈশান্যাং মণিকূটো মহাগিৰিঃ।
মণিকর্ণো নাম হৱত্তত্র তিষ্ঠতি লিঙ্গকঃ॥"
—কালিকাপুৰাণ, ৮১ অঃ

অৰ্থাৎ ভস্মকূট বা উমানন্দ পৰ্ব্বতৰ ঈশান কোণে মণিকূট পৰ্ব্বত। তাত মণিকর্ণ নামে হৰ লিঙ্গৰূপে আছে। মণিকর্ণ হৰকে মণিকর্ণেশ্বৰো বোলে। যেনে,—

"মণিকর্ণেশ্বৰং দৃষ্ট্বা মুক্তিভস্মাচলে ৱসেৎ।"
—কালিকাপুৰাণ, ৮১ অঃ

আকৌ, "কালিকাপুৰাণৰ" ৬২ অধ্যায়ত লিখা আছে—

"ঐশান্যাং যোঽভৱৎ কুৰ্ম্মঃ শৈলকাণো মহাদ্যুতিঃ।
মণিকর্ণঃ স নাম্নাতু খ্যাতো দেৱৌঘ সেৱিতঃ॥"

অৰ্থাৎ ঈশান কোণত মহাদ্যুতি কূৰ্ম্ম, যি পৰ্ব্বতৰূপে অৱস্থান কৰিছে। সেই পৰ্ব্বত মণিকর্ণ নামে খ্যাত আৰু দেৱতা সকলৰ দ্বাৰা সেৱিত।

হয়গ্ৰীৱ মাধৱৰ মন্দিৰ থকা মণিশৈলৰ বিষয়ে কালিকা-পুৰাণৰ ৮০ অধ্যায়ত এইদৰে লিখা আছে—

"মণিকূটস্তথা গিৰেৰ্গন্ধমাদনকস্য চ।
মধ্যে শ্ৰুতি লৌহিত্যো ব্ৰহ্মণাগ্নি সমুত্থিতঃ॥
বৰ্ণাশায়া দক্ষিণস্যাং লৌহিত্যোনাম সাগৱঃ।
মণিকূটঃ স্থিতঃ পূৰ্ব্বে হয়গ্ৰীৱো হৰিৰ্যতঃ॥
হত্বা অৱং তথা বিষ্ণুস্তত্র বাসমথাকৱোৎ।
নৱদেৱাসুৱাদীনাং যথা ভৱতি বৈ হিতম্॥"

অৰ্থাৎ মণিকূট আৰু গন্ধমাদন পৰ্ব্বতৰ মাজেদি ব্ৰহ্মাৰ অগ্নিৰ পৰা ওলোৱা লৌহিত্য (ব্ৰহ্মপুত্ৰ) নদ বৈ আছে। বৰ্ণাশা (বৰলা, ৱৰলীয়া বা চাউলখোৱা) নদীৰ দক্ষিণে লৌহিত্য নামে সাগৱ। তাৰ পূৰ্ৱে মণিকূট পৰ্ব্বত। তাতে হয়গ্ৰীৱ মাধৱৰ প্ৰতিমূৰ্ত্তি আছে। বিষ্ণুৱে তাতে অৱাসুৱক বধ

কৰি দেৱ, অসুৰ আৰু মনুষ্যাদিৰ হিতৰ কাৰণে বাস কৰিছিল।

ব্ৰহ্মপুত্ৰ বা লৌহিত্য নদ যে পূৰ্ব্বে হাজোৰ কাষেদি বৈছিল তাৰ চিন অদ্যাপিও আছে। অসম গৱৰ্ণমেণ্টে প্ৰকাশ কৰা "কামৰূপৰ বুৰঞ্জীৰ" ১১০ পিঠিতো সেই কথা লিখা আছে। হাজোৰ পৰা পশ্চিমে লোহিত্য ক্ৰমাৎ ইমান বহল হৈ গৈছিল যে দক্ষিণে গাৰো পাহাৰৰ কাষৰ পৰা উত্তৰে ভৈৰৱচূড়া আৰু চান্দৰ দিঙ্গা পাহাৰৰ কাষলৈকে লৌহিত্যৰ পানী বৈছিল। কলিকতা বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা "ঋগ্বেদৰ সময়ৰ ভাৰত" (Rigvedic India by A. C. DAS, M.A.,B.L.) পুথিৰ পৰাও জনা যায় যে অতীজত উত্তৰ ভাৰতত হিমালয়ৰ দক্ষিণে ৰাজপুতানাৰ মৰুভূমিৰ পৰা গাৰো পাহাৰৰ কাষলৈকে এখন সাগৰ আছিল। প্ৰায় গোটেইখন বঙ্গদেশ সেই সাগৰৰ তলত ডুবি আছিল।

মহাভাৰতৰ উদ্যোগ পৰ্ব্বৰ ৩য় অধ্যায়ত উল্লেখ কৰা পূৰ্ব্বসাগৰ এইখনেই হব পায়। তাত প্ৰাগ্‌জ্যোতিষাধিপতি ভগদত্তক পূৰ্ব্বসাগৰবাসী বোলা দেখা যায়। পাছে, কোনো নৈসৰ্গিক ঘটনাত উত্তৰ ভাৰতৰ সেই সাগৰখন শুকাই গল আৰু হিমালয়ৰ পশ্চিমাংশই ওখ হৈ বৰ্ত্তমান উচ্চতা লাভ কৰি অলঙ্ঘ্য অভ্ৰভেদী হৈ পৰিল। সাগৰ শুকালত সেই ঠাইৰ মাজেদি গঙ্গানদী প্ৰৱাহিত হৈ ঠাইখনক শস্যশ্যামলা কৰিলে। এই সাগৰখনেই পুৰাণৰ লোহিতসাগৰ বুলি বোধ হয়। আগেয়ে এই সাগৰখন থাকোঁতে হিমালয়ৰ কানে কানে কাশ্মীৰলৈকে বাট আছিল।

বায়ুপুৰাণত লিখা আছে যে বিকঙ্ক আৰু মণিশৈল এই দুই পৰ্ব্বতৰ মাজৰ এখন সুন্দৰ উপত্যকাত কশ্যপ ঋষিৰ আশ্ৰম আছিল। কশ্যপে দক্ষৰ জীয়েক অদিতি, দিতি, দনু, সুৰভি আদিক বিয়া কৰিছিল। আদিত্য বা দেৱ, দৈত্য, দানৱ, ৰুদ্ৰ, যক্ষ, ৰক্ষ, গন্ধৰ্ব্ব, কিন্নৰ আদি অনেক নৰনাৰী প্ৰজা কশ্যপৰ বংশত জন্মগ্ৰহণ কৰি ক্ৰমে এছিয়া বা কাশ্যপীয়াৰ লোকসংখ্যা বৃদ্ধি কৰিলে।

বিকঙ্ক পৰ্ব্বতৰ বৰ্ত্তমান নাম কি জানিব পৰা নাই। কিন্তু মণিশৈল যদি আমাৰ কামৰূপৰ 'আমণিং মণিপৰ্য্যন্তং' ঠাইখিনি হয়, তেন্তে "আচিত্ৰাদ্ গন্ধমাদনম্" বা তাৰ ওচৰৰ কোনো পৰ্ব্বতৰ নাম সম্ভৱতঃ বিকঙ্ক আছিল, আৰু যদি সেয়ে ঠিক হয়, তেন্তে অদিতি-নন্দন ইন্দ্ৰাদিৰ পক্ষে সেই ঠাই অৱশ্যে পৰম প্ৰিয় "স্বৰ্গতো অধিক জনমভূমি" নহৈ নোৱাৰে।

গালৱ আৰু গৰুড়ৰ ভ্ৰমণ-প্ৰসঙ্গত গৰুড়ে পূব দিশৰ বৰ্ণনা কৰোতে কৈছিল যে "এইপিনেই দক্ষ প্ৰজাপতিৰ জীয়েক অদিতি আদিৰ গৰ্ভত কশ্যপৰ ঔৰষত প্ৰজাসকলৰ উৎপত্তি আৰু বৃদ্ধি হৈছিল; এইপিনে দেৱতাসকলে শ্ৰীলাভ কৰিছিল; এইপিনে ইন্দ্ৰৰ অভিষেক সম্পন্ন হৈছিল, আৰু এইপিনেই দেৱতাসকলে তপস্যা কৰিছিল; পূৰ্ব্বকালত দেৱতাসকল এইপিনে বাস কৰিছিল, এই নিমিত্তে ইয়াৰ নাম প্ৰাক্, প্ৰাচী বা পূৰ্ব্ব দিশ হৈছে; এই ঠাই পূৰ্ব্বপুৰুষবিলাকৰ আদি নিবাস বুলি বিখ্যাত। * * * এই পিনে সূৰ্য্যদেৱে যাজ্ঞবল্ক্যক যজুৰ্ব্বেদবিলাক দান কৰিছিল" (শ্ৰীযুত ৰজনীকুমাৰ পদ্মপতিৰ "পুৰণি অসমত ভুমুকি" চাওক)।

সম্ভৱতঃ অদিতি আদি কশ্যপৰ ভাৰ্য্যাসকল কামগিৰি কামাখ্যাত আছিল। কামাখ্যাৰ এটা নাম কামিনী। কালিকাপুৰাণে কামাখ্যাক "জগতাংপ্ৰসূঃ" অৰ্থাৎ জগতৰ নৰনাৰীৰ জন্মভূমি বুলিছে। সেই পুৰাণৰ মতে কামৰূপ "সুৰালয়"। বৈদিক সাহিত্যতো "প্ৰাচ্যাং দেৱাঃ" আৰু "প্ৰাচ্যাং দিশি ত্বমিন্দ্ৰাসি ৰাজা" পোৱা যায়। যোগিনী-তন্ত্ৰত "তত্ৰ (কামৰূপে) যে মানুষাঃ সন্তি তে দেৱাঃ নাত্ৰ সংশয়ঃ" বুলি লিখা আছে

কশ্যপৰ লৰাবিলাকৰ ভিতৰত দিতিৰ গৰ্ভত জন্মা হিৰণ্যকশিপু জ্যেষ্ঠ আছিল। দিতিৰ পুতেকগুণে তেওঁক দৈত্য বোলা হৈছিল। তেওঁ সুমেৰু প্ৰদেশত অৰ্থাৎ হিমালয়ত ৰাজত্ব কৰিছিল। তেওঁৰ মাতামহ দক্ষ অপুত্ৰক হৈ মৰাত দক্ষৰ স্বৰ্গৰাজ্য পাবৰ কাৰণে অদিতি-নন্দন ইন্দ্ৰাদিৰ লগত তেওঁৰ বিৰোধ জন্মে। পাছত বিষ্ণুৱে তেওঁক বধ কৰি ইন্দ্ৰক স্বৰ্গৰ ৰাজা পাতে। তেতিয়াৰ পৰা স্বৰ্গৰ ৰাজাৰ উপাধি 'ইন্দ্ৰ' হয়। এই স্বৰ্গখন ভৌম

ৰ্গ, পাৰলৌকিক স্বৰ্গ নহয়। ভাৰতৰ প্ৰাচী বা পূৰ্ব্ব-দিশতে আদি স্বৰ্গ আছিল বুলি বোধ হয়।

"যোগিনীতন্ত্ৰ"চাই হাজোৰ মণিকূট আদি তীৰ্থবিলাকৰ বিৱৰণ তলত চমুকৈ লিখা হল। প্ৰথমতে হাজোৰ বৰ্ণনা এইদৰে আছে —

মহাদেৱে পাৰ্ব্বতীক কৈছে—

হে দেৱি! এই ভূ-ভাৰতত দুৰ্ল্লভ, অতিনিৰ্ম্মল, হৰিক্ষেত্ৰৰ নিচিনা শুভকৰ এখন পুণ্যক্ষেত্ৰৰ কথা কওঁ, শুনা। সেই ক্ষেত্ৰৰ নাম বিষ্ণুপুষ্কৰ। তাত আঠশ শিৱলিঙ্গ আৰু আঠশ তীৰ্থ আছে। সেই ঠাই হৃষ্টপুষ্ট মানুহেৰে পৰিপূৰ্ণ; ব্যকান্তি নৰনাৰী আৰু অনেক বিদ্যাৱন্ত লোকৰ তাত বসতি; শাৰী শাৰী ঘৰবিলাকৰ সমুখত সুন্দৰ সুন্দৰ তাল; ধনে-ধান্যে আৰু নানাবিধ ৰত্ন-মণিৰে ঘৰবিলাক সুশোভিত; বীথি অৰ্থাৎ বাটৰ কাষে কাষে দোকান বিলাক নানা বিধ বস্তুৰে সজোৱা; ৰাজহংসৰ নিচিনা ৰ প্ৰাসাদবিলাক ঠায়ে ঠায়ে শোভা পাইছে। * * * হে দেৱি! নীলা, ৰঙ্গা আৰু বগাবৰণৰ প্ৰাসাদবিলাকৰ শোভা কি চাবা! প্ৰাসাদবিলাক গড়-পৰিখাৰে অলঙ্কৃত আৰু অস্ত্ৰশস্ত্ৰেৰে পৰিৰক্ষিত আৰু নানাবৰণৰ পতাকা-ৰীৰ দ্বাৰা পৰিশোভিত; বীণা, বেণু, মৃদঙ্গ আদি নানা দিৱৰ ধ্বনিত আৰু উৎসৱাদিত নিতৌ সেই ঠাই মোদিত; দিব্য দেৱালয়বিলাকৰ চাৰিওফালে সুন্দৰ ৰ উদ্যান আৰু নানা তৰহৰ পূজাৰ উপকৰণেৰে ৱালয়বিলাক শোভিত। তাৰ তিৰোতাবিলাক মধ্যম-প্ৰফুল্লময়ী। সেই আয়তলোচনা ৰমণীসকলৰ গ্ৰীৱা নোহৰ হাৰাৱলীৰ দ্বাৰা সুশোভিত। তেওঁলোকক নোন্নত পয়োধৰা বুলিব পাৰি; তেওঁলোকৰ মুখ যেনিবা ৰ্ণিমাৰ জোন: অলকাৱলী স্থিৰ, কপাল মনোহৰ; জঘন ৰু; নয়নযুগল কাণলৈকে বিস্তৃত; তেওঁলোকৰ জুনুকা গোৱা কাঞ্চী আৰু নেপুৰৰ ৰুণ্-জুন্ ধ্বনিয়ে সেই ঠাইৰ হৰ মন মোহিত কৰি থাকে। বিষ্ণুপুখুৰীৰ বাহিৰেও ত শত শত পদ্মফুল থকা অনেক জলাশয় আছে। সেই লাক জলাশয়ৰ পানী অতিশয় নিৰ্ম্মল; তাত কুমুদ, ৰিক, নীলোৎপল আদি সুশোভন জলজ পুষ্প, আৰু কাদম্ব (বালি-হাঁহ), চক্ৰৱাক, কাৰণ্ডৱ (ঘিলা-হাঁহ বা পানী-হাঁহ), জলকুক্কুভ (কোঢ়া চৰাই), গঙ্গা-চিলনী, ৰাজহাঁহ আদি জলচৰ পক্ষীবিলাক দেখিবলৈ পোৱা যায়। জলাশয়ৰ পাৰবিলাকত থকা নানা তৰহৰ সুন্দৰ সুন্দৰ গছ বিলাকত অনেক চৰায়ে পৰি আৰাও কৰি থাকে। এনে পৰম ৰমণীয় ঠাইত মণিকূট পৰ্ব্বতৰ ওপৰত স্বয়ং হয়গ্ৰীৱ জনাৰ্দ্দন বাস কৰিছিল। বিষ্ণুপুষ্কৰৰ পশ্চিম পাৰত মণিকূট পৰ্ব্বত আৰু মাধৱৰ মন্দিৰ। মণিকূট ক্ষেত্ৰত অপুনৰ্ভৱ নামে এখন মনোহৰ পুণ্যপ্ৰদ তীৰ্থ আছে। এই পৃথিবীত যিমান তীৰ্থ আছে, যিমান সৰিৎ, সাগৰ, পুখুৰী, বিল আৰু কুণ্ড আছে, সেই সকলোবিলাকৰ পৰা পৃথক্-পৃথক্‌ভাৱে পানী আহৰণ কৰি সৰ্ব্বলোকৰ হিতৰ নিমিত্তে ৰুদ্ৰই সোমসকলেৰে সৈতে এই অপুনৰ্ভৱ কুণ্ডত ঢালি ইয়াত বাস কৰিছিল। সেই অপুনৰ্ভৱ তীৰ্থত কাম্য বস্তু উপভোগ কৰি বাস কৰিলেও আকৌ জন্মগ্ৰহণ কৰিব নালাগে। এই নিমিত্তে এই ঠাইৰ নাম অপুনৰ্ভৱ হৈছে। এই কুণ্ডত স্নান কৰিলে পুনৰ্ভৱ অৰ্থাৎ পুনৰ্জন্ম নহয়। এই কুণ্ডটোৰ পৰিমাণ ৮ ধনু। বৰাহ আৰু কামদেৱ বা কামেশ্বৰৰ মাজত কুণ্ডটো আছে। গোকৰ্ণৰ আকৃতি এটা বলদৰ নিচিনা, আৰু বিকৰ্ণৰ আকৃতি এটা পুৰুষৰ নিচিনা এই দুজন যোগীৰ প্ৰতিমূৰ্ত্তি দৰ্শন কৰিলে পৰম যোগ-জ্ঞান লাভ হয়। উত্তৰফালে সৰোবৰৰ তীৰত ভদ্ৰকাম পৰ্ব্বত। তাৰ পৰা পাঁচধনু অন্তৰত হয়গ্ৰীৱা ক্ষেত্ৰ। তাৰ শৈৱশিলাত মহাদেৱে ধ্যান কৰিছিল। অপুনৰ্ভৱ কুণ্ডৰ ৯ ধনু অন্তৰত বাৰাণসীয়ক কুণ্ড। তাৰ পৰিমাণ সাত ধনু। তাৰ পাঁচধনু অন্তৰত মাৰ্কণ্ডেয় হ্ৰদ। তাৰ উত্তৰ পাৰত মাৰ্কণ্ডেয় নামে মহেশ্বৰ আছে। এই হ্ৰদৰ স্নানমন্ত্ৰৰ পৰা বুজা যায় যে ইয়াতে মাৰ্কণ্ডেয় মুনিৰ আশ্ৰম আছিল। গোকৰ্ণ আৰু বিকৰ্ণৰ পৰা অলপ আঁতৰত ব্ৰহ্মসৰঃ নামে তীৰ্থ আছে। তাৰ পৰিমাণ ২১ ধনু। এই কুণ্ডটো ব্ৰহ্মাৰ নিৰ্ম্মিত। এই কুণ্ডৰ পশ্চিমে কৃষ্ণাখ্য শৈলৰূপী বৰাহ দেৱতা আছে। গোকৰ্ণৰ ঈশান কোণত থকা পৰ্ব্বতত কেদাৰ নামে মহাদেৱ আছে। সেই পৰ্ব্বতৰ নাম মদনাচল। কেদাৰ অৰ্দ্ধনাৰীশ্বৰ।

কেদাৰৰ পশ্চিমে ব্ৰহ্মবট নামে এজোপা বৰগছ আছে। কেদাৰৰ উত্তৰ ফালে পৌষ্পক নগৰক্ষেত্ৰ। তাত কমল নামে শিৱ আছে। তেওঁক কমলেশ্বৰো বোলে। ব্ৰহ্মবটৰ দক্ষিণে ছত্ৰাকাৰ, সাগৰি আৰু পৰিপাত্ৰক পৰ্ব্বত। তাৰ পাছত মন্দৰ পৰ্ব্বতত মধুৰিপু হৰি। পৰিপাত্ৰৰ উত্তৰে ২০ ধনু দূৰত মনোহৰ কপিলাশ্ৰম আছে। তাৰ পৰা ১১ ধনু দূৰত পিশাচমোচন নামে তীৰ্থ। তাত কালভৈৰৱ আছে। ব্যাঘ্ৰেশ্বৰৰ দক্ষিণে দেৱদুৰ্ল্লভ স্বয়ম্ভুলিঙ্গ পূবমুখে প্ৰতিষ্ঠিত আছে। ব্যাঘ্ৰেশ্বৰক আজিকালি বাঘেশ্বৰী কয়। ব্যাঘ্ৰেশ্বৰৰ ঈশান কোণে দহধনু পৰিমিত কৃত্তিবাস দেৱৰ লিঙ্গযোনি প্ৰতিষ্ঠিত আছে। মদনাচলৰ ঈশান কোণত তিনি ইষুক্ষেপ অন্তৰত সপ্তপাতালভেদী বিখ্যাত বাণেশ্বৰ লিঙ্গ প্ৰতিষ্ঠিত আছে। (এই ঠাইৰে নাম বোধ কৰোঁ পাতালক আছিল।) বাণেশ্বৰৰ বায়ুকোণত থকা নানা বৰণৰ শিলাবিলাকক গৰুড়াখ্যা মহালিঙ্গ বোলে। মণিকূটৰ উত্তৰে সৰ্ব্বপাপপ্ৰমোচনী বল্লভা নদী বৈ আছে। বল্লভাত স্নান কৰি সাদৰ মাধৱক দৰ্শন কৰিব লাগে। তাৰ পাছে বৰাহবিবৰ দৰ্শন কৰিব লাগে। গোকৰ্ণৰ ওচৰত স্বৰ্গদ্বাৰ আছে। তাত আৰোহণ কৰিব লাগে। পাছে বাৰাণসীয় আৰু মাৰ্কণ্ডেয় হ্ৰদত স্নান কৰি কামেশ্বৰ দৰ্শন কৰি কল্পবৃক্ষক প্ৰণাম কৰিব। মণিকূটৰ পূব কাষে যি বিষ্ণুপুষ্কৰ নামে সৰোবৰ আছে তাত সকলো তীৰ্থৰ জল আছে। সেই সৰোবৰৰ আকৃতি পুষ্কৰ অৰ্থাৎ প্ৰফুল্ল পদুমৰ নিচিনা। তাত স্নান আৰু বিধিমতে অৰ্ঘা দান কৰি মণিকূট পৰ্ব্বতত আৰোহণ কৰিব লাগে। বিষ্ণুৱে হয়গ্ৰীৱ ৰূপ ধাৰণ কৰি মণিকূটাচলত অৱস্থান কৰি আছে। পৰ্ব্বতাভিমুখে বা উত্তৰাভিমুখে মণিশৈলত উঠা উচিত; আন দিশলৈ মুখ কৰি উঠিব নাপায়। মণিকূটলৈ উঠোঁতে মনে মনে সৎ আৰু সৰ্ব্বাৰ্থসাধক "ওঁ নমো নাৰায়ণায়" মন্ত্ৰ জপ কৰি সূৰ্য্য, চন্দ্ৰ আৰু অগ্নিমণ্ডল চিন্তা কৰি জ্যোতিস্বৰূপ সনাতনৰ ৰূপ হৃদয়ত ধাৰণ কৰি উঠিব লাগে।

"ওঁ নমো নাৰায়ণেতি সন্তঃ সৰ্ব্বাৰ্থসাধকঃ।

* * *

"তত্ৰাৰ্ক চন্দ্ৰবহ্নিনাং মণ্ডলানি বিচিন্তয়েৎ॥

"ততো বিচিন্ত্য হৃদয়ং ওঙ্কাৰং জ্যোতিৰূপীনং।
কৰ্ণিকায়াং সমাসীনং জ্যোতিৰূপ স্বৰূপীনং॥"

আৱাহন মন্ত্ৰ

"মীনৰূপো বৰাহশ্চ নৰসিংহোথৱা পুনঃ।
আয়াতু দেৱ বৰদো মম নাৰায়ণোঽগ্ৰতঃ॥
সুমেৰোশ্চ পাদপীঠে পদ্মকল্পিত মানসং।
সৰ্ব্বসত্ব হিতাৰ্থায় তিষ্ঠস্ব মধুসূদন॥"

এই মন্ত্ৰটোৰ পৰা বুজা যায়, এসময়ত হিমালয়ৰ পূৰ্ব্বাংশকে সুমেৰু বোলা হৈছিল। এই সুমেৰুৰ পাদপীঠত থকা "আমণিং মণিপৰ্য্যন্তং" বোলা ভূমিখণ্ডক পদ্মৰূপে কল্পনা কৰি তাত নাৰায়ণক প্ৰতিষ্ঠিত কৰা হৈছিল। বৌদ্ধধৰ্ম্মাৱলম্বী লোকসকলৰ "ওঁ মণিপদ্মে হুং" (O thou Jewel in the Lotus) মন্ত্ৰৰো উৎপত্তি ইয়াতে হৈছিল বুলি বোধ হয়।

হয়গ্ৰীৱ-মাধৱ, কেদাৰ, কমল, গণেশ আৰু বাণেশ্বৰ এই পাঁচখন হাজোৰ প্ৰধান দেৱালয়। কুণ্ডৰ ভিতৰত মণিকূটৰ পূবকাষৰ বিষ্ণুপুষ্কৰ বিশেষ প্ৰসিদ্ধ। বিষ্ণুপুষ্কৰৰ পৰা হয়গ্ৰীৱ-মাধৱৰ মন্দিৰলৈকে পকী খটখটী আছে।

কালাপাহাৰে মাধৱৰ মন্দিৰ ভাঙ্গি নষ্ট কৰাত কোঁচহাজোৰ ৰাজা ৰঘুদেৱ নাৰায়ণে নতুনকৈ আগৰ ভেঁটিতে মন্দিৰ নিৰ্ম্মাণ কৰায়, সেই মন্দিৰ এতিয়ালৈকে আছে। ৰঘুদেৱ সুবিখ্যাত চিলাৰায় বা শুক্লধ্বজৰ পুতেক। তেওঁৰ ৰাজ্যৰ সীমা পশ্চিমে স্বৰ্ণকোষ (সোণকোঁহ) নদীৰপৰা পূবে দিক্কৰিকা বা দিকৰাই নদীলৈকে আছিল। বিজনী, দৰং আৰু বেলতলাৰ ৰজাৰ ফৈদ তেওঁৰে বংশধৰ।

মাধৱৰ মন্দিৰৰ উৎপত্তিৰ বিষয়ে "যোগিনী তন্ত্ৰত" লিখা আছে যে একৰমকালি, ওড্ৰ বা উড়িষ্যাৰ মহাৰাজা ইন্দ্ৰদ্যুম্নই এখন দেৱালয় নিৰ্ম্মাণ কৰি তাত এক মহাযজ্ঞৰ অনুষ্ঠান কৰে। তেওঁ সেই দেৱালয়ত স্থাপনৰ নিমিত্তে কেনেকুৱা প্ৰতিমা হলে ভাল হব, এই কথা ভাবি-চিন্তি বিষ্ণুক ধ্যান কৰিবলৈ ধৰিলে। তেওঁৰ টোপনি আহিলত বাসুদেৱে তেওঁক সপোনত দৰ্শন দি কলে, হে ৰাজন! তুমি অকলৈ হাতত পৰশু কুঠাৰ লৈ সাগৰৰ পাৰলৈ যাবা, তাত

এজোপা অদ্ভুত ৰকমৰ গছ দেখিবলৈ পাবা; তুমি সেই গছ কুঠাৰেৰে কাটি আনি দিব্য প্ৰতিমা সাজিবা। এই কথা কৈ হৰি অন্তৰ্ধান হলত ৰাজাই সাৰ পাই সপোনৰ কথা ভাবি বিস্ময় মানিলে। ৰাতিপুৱা ৰাজাই সাগৰৰ পাৰলৈ গৈ সেই মহাবৃক্ষ দেখা পাই কুঠাৰেৰে তাক কাটি সাত ডোখৰ কৰিলে। তেওঁ সেই গছৰ গুৰি ওড্ৰ দেশত বুলি কল্পনা কৰি গুৰি ছোৱাৰ মূৰ্ত্তি বনাই তাত সংস্থাপন কৰিলে। তাৰ ওপৰ ছোৱা কাশ্মীৰত আদিত্যৰূপে স্থাপিত হ'ল; তাৰ ওপৰ ছোৱা সোণাদিত্য নামে গুৰ্জ্জৰত স্থাপিত হল; তাৰ ওপৰ ছোৱা উদয়ন দেশত শুক্ৰ ঋষিয়ে স্থাপন কৰিলে; তাৰ ওপৰৰ দুই ছোৱাৰ এছোৱা কুবেৰে নি কামৰূপৰ পূবত মৎস্যাখ্য মাধৱ নাম দি স্থাপন কৰিলে; সেইখন বৰাহৰ ঠাই; আন ছোৱা কামৰূপৰ মণিকূট পৰ্ব্বতত হয়গ্ৰীৱ-মাধৱ নাম দি বৰুণে স্থাপন কৰিলে। শেষ ছোৱা মলয়া গিৰিত স্থাপিত হল।

লক্ষ্মীপুৰ জিলাৰ মাছখোৱা নামে ঠাইত যিখন "বাসুদেৱ দেৱালয় বা থান" আছে, সেয়েই "মৎস্যাখ্যা মাধৱৰ" দেৱালয় হব পায়।

"মণিকূট" নামে এখন অসমীয়া পদপুথি আছে। পুথিখনৰ লিখকৰ নাম শ্ৰীৰামচন্দ্ৰ দাস। শিৱসাগৰৰ কেন্দুগুৰিত তেওঁৰ ঘৰ আছিল। তেওঁ গৰগাৱঁত থাকোঁতে এই পুথিখন লিখিছিল। বিজন বৰপাত্ৰ গোহাঁয়ে কৰতোয়া নদীলৈকে দেশ জয় কৰি তাত তৰোৱাল ধুইছিল আৰু কৰতোয়াৰ পূব পাৰে এটা পুখুৰী খনাইছিল, এই পুথিৰ লিখকজন তেওঁৰ বংশধৰ বুলি পুথিত লিখা আছে। তলত লিখা কথাখিনি উক্ত "মণিকূট" পুথিৰপৰা তুলি দিলোঁ —

"বিষ্ণুৰূপী দ্ৰুম দেখি ৰাজা হৰ্ষ ভৈলা।
হাতত কুঠাৰ ধৰি ছেদিবাক গৈলা॥
সাতখণ্ড কৰি বৃক্ষ ৰাজায়ে ছেদিলা।
জল হস্তে নিয়া পাছে পৃথিবীত থৈলা॥
তাৰ মূলভাগ ৰাজা মহা যত্ন কৰি।
উৰেষাত থাপিলন্ত জগন্নাথ হৰি॥
তাৰ উৰ্দ্ধখণ্ড ৰামে কাশ্মীৰে থাপিলা॥
কৱন্ধ আকাৰ কৰি সূৰ্য্য নাম দিলা॥
তাৰ উৰ্দ্ধভাগ সোণাদিত্য নাম কৰি।
গুৰ্জ্জে থাপিলন্ত হেন জানিবা সুন্দৰী॥
তাৰ উৰ্দ্ধভাগ শুক্ৰ ঋষি থাপিলন্ত
উদয়নি দেশ মাজে অদ্যাপি আছন্ত॥
তাহাঙ্ক বোলয় শ্বেত-মাধৱ পাৰ্ব্বতী।
দৰশন মাত্ৰে লোকে পায় মহাগতি॥
শিলাৰূপী হুয়া আছে জগতৰ বাপ।
দৰশনে হৰে কোটি জনমৰ পাপ॥
তাৰ দুই ভাগ কামৰূপত থাপিলা।
মলয়া গিৰিক লাগি এক খণ্ড নিলা॥
দ্বাপৰ-কলিৰ জানা সন্ধ্যা সময়ত।
কুবেৰে থাপিলা মৎস্য-মাধৱ পূৰ্ব্বত॥

* * *

ঐশান্য দিশত আছে এক গিৰিবৰ।
মণিকূট নাম যাৰ নুহি পুটন্তৰ॥
সেহি গিৰিবৰে উৰ্দ্ধে কৰিলন্ত থিত।
হয়াস্য মাধৱ নাম জগতে বিদিত॥"

হাজোৰ মণিকূটত উৰ্ব্ব (ঔৰ্ব্ব?) ঋষিৰ আশ্ৰম আছিল। হয়, পঞ্চজন আদি অসুৰবিলাকৰ উৎপাতত তেওঁ শান্তিৰে থাকিব নোৱাৰি বিষ্ণুক তপস্যা কৰিবলৈ ধৰিলে। তেওঁৰ তপস্যাত সন্তুষ্ট হৈ বিষ্ণুৱে তেওঁক দৰ্শন দি কি বৰ লাগে বুলি সোধাত তেওঁ হয়াসুৰৰ উৎপাতৰ কথা কৈ অসুৰবিলাকক বিনাশ কৰি তেওঁক নিৰাপদ কৰিবৰ নিমিত্তে বৰ প্ৰাৰ্থনা কৰিলে। তেতিয়া বিষ্ণুৱে হয়াসুৰক খেদি নি বিশ্বনাথত বধ কৰিলে। পঞ্চজন, জৰাসুৰ আদি অন্যান্য অসুৰক মণিকূটৰ ওচৰতে বধ কৰি তেওঁ মণিকূটত অৱস্থান কৰিছিল। ত্ৰেতাত উত্তৰ কোশল ৰাজ্যত বাহু নামে এজন প্ৰৱলপ্ৰতাপী সূৰ্য্যবংশীয় ৰাজা আছিল। তেওঁ শত্ৰুপক্ষৰ লগত যুদ্ধত হাৰি ৰাজ্যভ্ৰষ্ট হৈ সপৰিবাৰে পলাই আহি উৰ্ব্ব ঋষিৰ আশ্ৰমত বাস কৰিছিল, সেই আশ্ৰমতে তেওঁৰ মৃত্যু হয়। পাছে তেওঁৰ পুতেক সগৰে পিতৃৰাজ্য উদ্ধাৰ কৰে। তেওঁ বশিষ্ঠ

মুনিৰ উপদেশমতে পৰাজিত আৰু বন্দী ক্ষত্ৰিয়বিলাকক চুলি কটাই নৰা কৰি কামৰূপৰ পূবপ্ৰান্তলৈ খেদি পঠায়। পাটকাই পৰ্ব্বতৰ পূবে যিখন নৰা ৰজাৰ দেশ আছিল, তাৰ নৰাবিলাকেই সেই মুণ্ডিতমস্তক ক্ষত্ৰিয়সকলৰ সতি-সন্তান হব পায়।

"কামৰূপ অনুসন্ধান সমিতিয়ে" প্ৰকাশ কৰা কামৰূপৰ বুৰঞ্জীৰ তৃতীয় অধ্যায়ত লিখা আছে, "পূৰ্ব্বে সপ্তদ্বীপেশ্বৰ সগৰ ৰাজাই ম্লেচ্ছৰ ৰাজাসকলক নানান বৰ্ণ চিহ্ন দি পৰ্ব্বত-পাহাড়লৈ খেদিলে; সেই লগৰে নড়া ৰাজাকো চুলি দাড়ি খুৰাই নৰামুৰা কৰি খেদিলে। এতেকেহে অদ্যাপিও নড়া ৰাজা, দেশকো নড়া দেশ বোলে। সেয়েই পূৰ্ব্বদেশত শ্ৰীলৌহিত্যৰ সমীপত পৰ্ব্বতৰ ৰজা হল।"

মহাপ্ৰলয়ত পৃথিবী জলময় হয়। জলময় পৃথিবীৰ যিডোখৰ ভূমি প্ৰথমে পানীৰ মাজৰপৰা জাগি ওলায়, তাকেই পুৰাণে "অব্যক্তাৎ পৃথিবী-পদ্মং," তাকেই আকৌ "মহাদ্যুতি কূৰ্ম্ম" বুলিছে। পানীৰ মাজত পদুমৰ দৰে, বা কাছৰ পিঠিৰ দৰে ভূমিয়ে দেখা দিলে। পৃথিবীৰ জলময় অৱস্থাই মৎস্য অৱতাৰ। মৎস্যাদি জলচৰ জন্তুবিলাক পানীত চৰি ফুৰিছিল। সেই জলৰাশিৰ মাজত যেতিয়া ভূমিয়ে দেখা দিলে তেতিয়া কূৰ্ম্ম অৱতাৰৰ অৱতাৰণা। কূৰ্ম্ম বুলিলে টান মাটি বুজায়।

যেতিয়া সমভূমি ওলাই তাৰ ওপৰত তৃণ আদি গজিল, অগ্ন্যুৎপাত আৰু ভূমিকম্পত ভূমিৰপৰা পৰ্ব্বত পাহাৰ ওলাল, তেতিয়া স্থলচৰ চতুষ্পদ জন্তুৰ সৃষ্টি হল। সেই অৱস্থাৰ নাম হল বৰাহ অৱতাৰ। পাছে মানুহৰ সৃষ্টি হল। আদিম অৱস্থাৰ মানুহক নৰ-পশু বুলিব পাৰি। সেয়ে নৰসিংহ অৱতাৰ। পুৰাণমতে কূৰ্ম্মৰ ওপৰত অনন্ত নাগ আছে। অনন্ত শয্যাত বিষ্ণু আছে।

"কালিকা-পুৰাণ"মতে মহাদ্যুতি কূৰ্ম্মই মণিশৈল, মণিশৈলতে অনন্ত শয্যা আৰু বিষ্ণু আছে। হাজোৰ গন্ধমাদনক মহামায়া পৰ্ব্বতো বোলে। উক্ত পুৰাণত হাজোৰ তীৰ্থবিলাকৰ ভিতৰত অপুনৰ্ভৱ কুণ্ড, ভদ্ৰকাম পৰ্ব্বত আৰু সেই পৰ্ব্বতত থকা হয়গ্ৰীৱ শিলা, গোকৰ্ণ, মদনাচলৰ কেদাৰ আৰু কমল, কামদেৱ আৰু হয়গ্ৰীৱ মাধৱৰ মন্দিৰৰ পূবে কেদাৰৰ পশ্চিমে ছায়াভোগ নামে এখন ঠাইৰ উল্লেখ আছে। ছায়াভোগত ভোগৱতী নামে এখন পুৰী আছিল। "যোগিনী তন্ত্ৰত" উল্লেখ কৰা "পৌষ্পক নগৰ" এইখনেই হব পায়। "অপুনৰ্ভৱ কুণ্ড" আৰু হয়গ্ৰীৱ মাধৱৰ মাহাত্ম্যৰ কথা "কালিকা পুৰাণত" এইদৰে লিখা আছে,—

"যো গচ্ছেন্মণিকূটাখ্যাং কৌতুকাচ্চ পুনৰ্ভৱম্।
স সৰ্ব্বতীৰ্থযাত্ৰানাং ফলমাপ্নোতি মানৱঃ॥
জ্যৈষ্ঠমাসি সিতে পক্ষে পঞ্চদৃশ্যাষ্টমীষু চ।
স্নাত্বাপুনৰ্ভৱ জলে যঃ পশ্যেদ্বিধিৱৎ হৰিম্।
স সৰ্ব্বং কুলমুদ্ধৃত্য বিষ্ণুসাযুজ্যমাপ্নুয়াৎ॥
জ্যৈষ্ঠস্তু সকলং মাসং নিত্যংপশ্যেত্তু যো হৰিম্।
হৰৌ বিলীনতাং যাতি স সৰ্ব্বৈঃ সহিতৈঃ কুলৈঃ।
এতত্তে কথিতং পুণ্যং মণিকূটাহ্বয়ং পৰম্।
বাৰাণসীভ্যোঽধিকং সিদ্ধবিদ্যাধৰাৰ্চ্চিতম্॥
যঃ পঠেৎ শৃণুয়াদ্বিপ্ৰো মণিকূটস্য নিৰ্ণয়ম্।
স সৰ্ব্ববেদস্য ফলং প্ৰাপ্নোত্যেব ন সংশয়ঃ॥"

উক্ত পুৰাণৰ মতে এই মণিকূট ক্ষেত্ৰ অতি পৱিত্ৰ এনে কি বাৰাণসীতকৈও অধিক পৱিত্ৰ। উক্ত পুৰাণত এই কথাও লিখা আছে যে নৰকাসুৰে হয়গ্ৰীৱ অসুৰ সাহায্যত দেৱতা আৰু মানুহবিলাকক উৎপীড়ন কৰি সাগৰত, পৃথিবীত আৰু স্বৰ্গত যিমান মণি আছিল সকলোকে আত্মসাৎ কৰি লৌহিত্যৰ পাৰত মণি পৰ্ব্বত নিৰ্ম্মাণ কৰিছিল। সেই মণিপৰ্ব্বতত অলকা নামে এখন পুৰীও নিৰ্ম্মাণ কৰি অনেক সুন্দৰী দেৱ আৰু গন্ধৰ্ব্ব কন্যাক হিমালয়ৰ পৰা হৰি আনি সেই পুৰীত ৰাখিছিল।

হাজোৰ স্বৰ্গদ্বাৰৰ পৰা দেৱযান বা দেৱানগিৰি তিব্বতলৈকে অতীজত গতায়াত কৰিব পৰা বাট আছিল এনে প্ৰবাদ আছে যে যুধিষ্ঠিৰাদি পঞ্চপাণ্ডৱে দ্ৰৌপদী স্বৰ্গভূমিলৈ যাত্ৰা কৰোঁতে পূবমুখে আহি আহি মণিকূট স্বৰ্গদ্বাৰ পাই সেই স্বৰ্গদ্বাৰৰ বাটেদি হিমালয়লৈ গৈছিল।

এই প্ৰবন্ধত তীৰ্থবিলাকৰ দূৰত্ব বুজাবলৈ যোগিনী তন্ত্ৰত লিখামতে ধনু শব্দ ব্যৱহাৰ কৰা হৈছে। ধনু হাতে এক ধনু বুলি বুজিব লাগিব।

সাঁথৰ

(আগৰ সংখ্যাৰ পিছৰপৰা)

গল্প— —শ্ৰীবীণা বৰুৱা

ডাক্তৰীৰ শেষ পৰীক্ষা দি ঘৰলৈ আহিলোঁ। ঘৰ বুলিবলৈ লঠঙা-লঠং পজা কেইটিৰ বাহিৰে আন একো নাছিল। দূৰসম্পৰ্কীয় দদাইদেউ এজনে সম্পত্তিৰ তদাৰক কৰিছিল। লগুৱা "ভিখি" আছিল ঘৰ-ৰখীয়া। নিজৰ ঘৰখনিৰ সমান আপোন বস্তু জগতত দ্বিতীয় আৰু একো নাই। নিজ ঘৰখনিয়ে পুৰণি স্মৃতি সজাগ কৰি আনন্দিত কৰে। নিজৰ ঘৰখনি দেখিলে শৈশৱৰ সৰু-বৰ সকলো কথা এটি-এটিকৈ মনলৈ আহে। পথাৰৰ মাজৰ ওখ গছ এজোপাৰ ওপৰত উঠিলে দূৰৈত চৰি থকা গৰুছাগলীবিলাক ভালকৈ দেখা যায়। সেইদৰে পুৰণি নিজাঘৰত সোমালে জীৱনৰ সকলো ঘটনা মনত পৰেহি। সন্ধিয়া বেলিকা আকাশত মেঘবোৰে নানাতৰহৰ গঢ় লৈ নিমিষৰ ভিতৰতে উৰি যায়—এই সোঁৱৰণীয়ে আশা-নিৰাশাৰ নানা গঢ় লৈ লাহে লাহে অন্তৰ্হিত হয়।

মোৰ কথা শুনি অধৈৰ্য্য হৈছাহঁক। তোমালোকক কৈছোঁৱেই নহয় ঘৰত লগুৱাটোৰ বাহিৰে কোনো নাছিল বুলি। ফুল আৰু ফুলৰ মাকে সদায় মোৰ খবৰ-বাতৰি লয়। প্ৰয়োজনীয় সকলো বস্তু ফুলহঁতৰ ঘৰৰপৰা আমদানী। পুৱা-সন্ধিয়া ফুলহঁতৰ ঘৰতেই খোৱা-লোৱাৰ বন্দোৱস্ত। ফুলৰ মাকে মোক নিজ পুত্ৰৰ দৰে মৰম-চেনেহ কৰে। এগৰাকী আইৰ ঠাই অইন এগৰাকী আয়ে পূৰণ কৰিলে।

কিন্তু মানুহৰ মনৰ গতি চিৰকাল একেদৰে নাথাকে। আজি যাক সাধু-সন্যাসী বুলি সন্মান কৰিছা কালিলৈ তেওঁ অঘাইত ডকাইত নহব বুলি প্ৰমাণ কৰিব পাৰিবা নে? যাক আজি নৰাধম, হীন পশু-প্ৰবৃত্তিৰ উপাসক বুলি ঘিণাইছে তেওঁ যে কাইলৈ মায়া-মোহ ত্যাগ কৰি সন্ন্যাস ধৰ্ম্ম গ্ৰহণ কৰিব নোৱাৰিব তাৰেই বা স্থিৰতা কি? পানীৰপৰা তুলি পাৰত থোৱা কাৱৈমাছে চটফট কৰি থকাৰ দৰে পাঁচ কামগুণেৰে বিভূষিত এই মনটিও সদায় চঞ্চল হৈ থাকে। কৰ্ম্মময় জগত। কাম নকৰাকৈ অলস হৈ কোনেও বহি থাকিবলৈ ভাল নাপায়। কামতহে মাথোন সুখ। কাম নোহোৱা মানুহ সচৰাচৰ অসৎ পথৰ পথিক হয়।

ফুলৰ চিন্তাই আকৌ মোক বেঢ়ি ধৰিলেহি। শোৱা-পাটীত পৰি ৰাতি ইকাতি-সিকাতি কৰি বাগৰি থাকোঁ। মনে মনে ভাবোঁ, ৰাতিপুৱাতেই ফুলক মনৰ কথা ভাঙি-পাতি কম। কিন্তু পুৱা কিবা এটা লাজ আৰু সঙ্কোচে আগুৰি ধৰে। কওঁ কওঁ বুলি আলচি থাকোতেই পশ্চিম আকাশত সূৰুয মাৰ যায়গৈ। মনত পঙা কথা মনতে মাৰ যায়। বাস্তৱিকতে লাজ আৰু সঙ্কোচ সভ্যতাৰ আভৰণ। এই দুটিয়ে কুপ্ৰবৃত্তি আৰু প্ৰলোভনৰ বাটত জটায়ু পক্ষীয়ে সীতাহাৰী ৰাৱণক আগভেটা দিয়াৰ দৰে অগা-দেয়া কৰে। ইহঁতে কুপ্ৰবৃত্তি আৰু প্ৰলোভনক পৰাস্ত কৰিব নোৱাৰিলেও ভালেমান সময়ৰ নিমিত্তে মানুহক ইহঁতৰ হাতৰপৰা সৰুৱাই ৰাখে। তিৰোতাৰ এয়েই প্ৰধান সম্বল।

সেইদিনা সন্ধিয়া পুৰণি মাহেকীয়া আলোচনী এখন পঢ়ি আছোঁ; ওচৰতে ফুলে মেজৰ ওপৰৰ কিতাপবিলাক পৰিপাটিকৈ সজাই থৈছে। লাহে লাহে মুখ তুলি ফুললৈ চাইছোঁ—কিবা কওঁ কওঁ বুলি। মগজত একো কথা খেলোৱা নাই; কবলৈকো সাহ হোৱা নাই। তথাপি তলমূৰ কৰি একে উশাহে কলোঁ—"বিয়া নকৰাওঁমানে এই অৱস্থাই হব। মোৰ ভাগ্যত ছোৱালীও নঘটিল।"

কিতাপ সজাই সজাই হাঁহি এটা মাৰি ফুলে উত্তৰ দিলে—"তেনেহলে আইক আজিয়েই ছোৱালী বিচাৰিবলৈ কম।" হঠাৎ মুখবপৰা ওলাই পৰিল—"তুমি থাকোতেই নে?" ঘুৰি চাই ফুলক আক খোঁটালীৰ ভিতৰত নেদেখিলোঁ।

বৰ লাজ লাগিল। জানো মাকক কৈ দিয়েগৈ! তেনেহলে যে মোৰ মুখ উলিয়াবলে ঠাই নোহোৱা হব। ছিঃ! কি কামটো কৰিলোঁ। অসৎ কামৰ অনুতাপ আক অনুশোচনাই মানসিক যিমান কষ্ট দিয়ে তাৰ তুলনাত বিজাৰ পৰা কোনো শাৰীৰিক উৎপীড়নেই নাই। দুহৰ ভিতৰত অকণমান জলা আগুঠা এটা ফুমুৱাই থলে উনাই-উমাই ভিতৰি ভিতৰি জুই অলি সকলো ছাই কৰে। এই সামান্য ঘটনাটিয়ে মোৰ হৃদয়খনি দেই-পুৰি যন্ত্ৰণা দিবলৈ আৰম্ভ কৰিলে।

···তেতিয়াও বিছনাতে। পুৱাৰ সুৰযৰ পোহৰে যেন মোৰ কটা ঘাত খাৰণিৰ ছাটি এটাহে পেলাই দিছে। অন্ধকাৰ গহৰৰত পৰি থাকি শৰীৰৰ মন লুকুৱাবলৈ চেষ্টা কৰাত সুকৰে ভেঙুচালি কৰি মোক পোহৰ জগতলৈ টানি আনিবলৈ আহিছে। বতাহত উৰি উৰি বেৰৰ মকৰাজালেও মোক যেন সিঁয়াবিছেহে। ঘনচিকিকা চৰাইজনীয়ে ভিতৰ সোনাই কৰলৈ আহিছে—"তোমাৰ স্বভাৱ জানিলোহে"। হঠাৎ "ককাইদেউ" "ককাইদেউ" বুলি কোনোবা চৰাবথন মেলি ভিতৰ সোমাল। চকামকাকৈ চকু মোহাৰি উঠি চাওঁ যে ফুল।

—"আও, বেলি চুপৰলৈকে শোৱে নে?" কি কওঁ, কি নকওঁ ভাবি উত্তৰ দিলো, "সঁচাকৈয়ে ভালেমান পৰ হল নে কি?"

—"নহব নো কিয়? আপোনাৰ যিহে কুম্ভকৰ্ণৰ টোপনি। আয়ে চাহ কৰি বধি আছে, আহক সোন-কালে।" কথাষাৰ শেষ কৰিয়েই বেচেৰী ওচি গ'ল।

কিন্তু ফুলৰ মনৰ একো সাদসলনি হোৱা নাই। সেই হাঁহিভৰা মুখ, লাজকুৰীয়া চকু দুটি, বঙিয়াল মাত—একোৱেই তো লব হোৱা নাই। ভাব-ভঙ্গীত লাজ-সঙ্কোচ গোন্ধ-ভাপেই নাই। বিজুলীৰ দৰে আহি পুৱাৰ ৰাতিবি শুনাই অন্তর্হিত হল। যিজনাৰ চৰিত্ৰ পৱিত্ৰ আক নিষ্কলঙ্ক তেওঁ কেতিয়াও অহৰহ চৰিত্ৰত কলুষ্বেখা নেদেখে আক দেখিলেও তাৰে মনকে নকৰে। কচুপাতৰ ওপৰত থকা নিয়ৰৰ টোপালবিলাকক পাতৰ তলিত থকা মলিয়ে নোহোৱে। বতাহৰ লগত উৰি নোগোৱাজনেকে টোপালবিলাকে পাতৰ লগত নিলিপ্তভাৱে হাঁহি নাচি ফুৰে। মোৰ অন্তঃকৰণত কি আছিল তাক জুখি চাবৰ ফুলে প্ৰয়োজন নেদেখিছিল। সেই অকণমান ঘটনাটিয়ে (পিছতহে অকণমান বুলি ভাবিছিলোঁ) ফুলৰ মনত মোৰ বিপক্ষে একো সাঁচ বহৱাব নোৱাৰিলে।

কিন্তু মই কি ভাবিলো কব পাৰা নে? সঁচাকৈয়ে যাব যি ভাব, সি সেই ধৰণে নাভাবি থাকে কেনেকৈ? লাজ-সঙ্কোচ নকৰাকৈ আগৰ দৰে ফুল মোৰ ওচৰ চপা দেখি ভাবিলোঁ—ফুলেও মোক ভাল পায় চাগৈ। কেনে ধৰণৰ ভালপোৱা বিচাৰ কৰিবৰ সক্ষম নহলোঁ। বাস্তৱিকতে তিৰোতা জাতিৰ মনৰ কথা বুজা বৰ টান। তিৰোতা মানুহে নিজৰ ভিতৰতে নিজক লুকুৱাই জগতত ডুৱা দিয়ে। দ্রৌপদীয়ে কৰ্ণৰ কথা ভবা, কুন্তীয়ে গুহক কথা লুকুৱাই থোৱা তোমালোকে পঢ়িছাই।

আবেলি ওই উটিবৰ উপক্ৰম কৰিছেগৈ। আবেলিৰ টোপনিৰ লগে লগে ডেকা-মনলৈ কেনে ভাব-চিন্তা আহে, তাক গম পোৱাইকেই। বিশেষতঃ সংসাৰ-পথত অকণ-শৰীয়া যাত্ৰী হব লাগিলে চাৰিওফালে সংযাত্ৰীৰ অনুসন্ধানত চকু ঘুৰি ফুৰে। এনেতে চাহ খাবলৈ ফুল আহি উপস্থিত। ভালেমান দিন হাবাথুৰি খাই বিচাৰি ফুৰা বস্তুটি চকুৰ আগত অকস্মাৎ ওলালে বিস্ময় আক আনন্দত মানুহ তেনেই অভিভূত হয়। কি কৰিম, কি নকৰিম ভাবি ফুলৰ হাতচখনিত ধৰি কলো—"ফুল! তুমি মোক ভাল পোৱা নে?" "কিয় সুধিছে? আগোনাক নো মই কোনদিনা বেয়া পাইছোঁ?" "মোক তুমি বিয়া কৰাবা নে ফুল?" হাত চখন একপ্ৰাই নি লাহে লাহে ফুলে মাত লগালে—"ভালপোৱা জানো অকল বিয়াৰ মাজতে সোমাই আছে?" একো বুজিব নোৱাৰি অবাক হৈ ফুলৰ ফালে চাই বলো। ফুলে এবাৰ মাথোন মোৰ মুখলৈ চালে তলমুৱ কৰি থিৰ দি বল, মুখৰ কথা এষাৰিও নাই। কিন্তু

ডেওঁৰ সুন্দৰ মুখখনিত কি যে সৌন্দৰ্য্য ফুটি উঠিছিল! ডেওঁৰ লগৰ জেউতিত মোৰ মুখৰ মাত হৰিল। মোৰ আগবপৰা ফুল কেতিয়া আঁতৰি গল, কব নোৱাৰিলোঁ।

সি বহু দিন আগৰ কথা, কিন্তু আজিও তাক পাহৰিব পৰা নাই। এতিয়াও ভাবি ভাবি তন্ময় হওঁ। জীৱনত যেন সবাতোকৈ ডাঙৰ ভুল কৰিলোঁ। কিন্তু কেনে ধৰণৰ ভুল নিজেই বুজিব নোৱাৰিলোঁ। সেই অন্তৰ্যাত কিমান সময় আছিলোঁ, কব নোৱাৰো, যিখিন মাতত তন্ত্ৰা ভাগিল। জগতৰ মাজলৈ আকৌ ঘুৰি আহিব লগাত পৰিলোঁ।

···সেইদিনাবপৰা ফুলক দেখা নাছিলো, কিয় নাজানো, অৱশ্যে ঘটনাটো কোনেও বুজিব পৰা নাছিল বুলি গম দৰিলোঁ; তথাপি ঘৰত থকা মোৰ পক্ষে অসম্ভৱ হৈ পৰিল। কৰিয়ে কয়, ভালপোৱাই অত্যাচাৰ বিচাৰে, আনকি কৰেও। ধন্যবাদ এনে অত্যাচাৰৰ! ভালপোৱা দৰিদ্ৰৰ দৰিদ্ৰতা নহয়—সি অন্তৰৰ দুৰ্ভৰ বস্তু। দেৱতাই ভাল পাই ভক্তৰ দুৱাৰত ভিক্ষা মাগে দৰিদ্ৰতাৰ নিমিত্তে নহয়। আগবপৰা কহিমলৈ যাম বুলি পাতি আছিলোঁ। এদিন কাকো নোকোৱাকৈ যাত্ৰা কৰিলো। লগে লগে চৌধুৰীয়ে চিঞৰি উঠিল—"তাৰ পিছত এইবিনি পালেহি কেনেকৈ?" "অ, গৈ গৈ তোমালোকে এইখন হে পাতিলা? মোৰ জীৱনটে 'বোমান্স' নহয়, এটা "ট্ৰেজেডিহে"। ভালকৈ লিখিব জানিলে ই এখন বৃহৎ শোকৰ উপন্যাস হব। এই শোকৰ কাহিনী ইয়াতেই শেষ কৰিব পৰা হলে জীৱনটো একবকম আনন্দতেই গল বুলি ভাবিলোঁ হেতেন। কিন্তু আচল কাহিনীৰ কথা তোমালোকক এতিয়াও কোৱা নাই।"

আমি আটাই কেউজন আচৰিত হলো। এজন মানুহৰ জীৱনত ইয়াতকৈও আক কিবা অসাধাৰণ অঘটন ঘটা সম্ভৱপৰ নে? ডাক্তৰ বৰুৱাই নিজ ইচ্ছাৰেই আৰম্ভ কৰিলে,—"কহিমা ঠাইডোখৰ বেছ লাগিল। পাহাৰৰ ওপৰৰ ওখ আলিটিত থিয় দি নামনিৰ ঘৰবিলাক চাই মনত কি যে আনন্দ লাগে! জানোহা কোনোবা গন্ধৰ্ৱই ৰূপসী প্ৰেয়সীৰ মন ভোগাবলৈহে এই মায়াকাননৰ সৃষ্টি কৰিলে। কিন্তু প্ৰকৃতিৰ এই সৌন্দৰ্য্যত চেকা দিছে তাত বসতি কৰা নব্যযুগৰ সভ্যসকলে। প্ৰকৃতিবপৰা আঁতৰি থাকিব পৰাতেই তেওঁলোকৰ সুখ। এওঁলোকৰ মাজবপৰা মাওঁলৈ যাত্ৰা কৰিলোঁ।

কহিমাবপৰা কুৰি মাইল আঁতবত মাও। নগা পাহাৰৰ ভিতৰত এই ঠাইডোখৰেই সবাতোকৈ ওখ। ভালেমান অংশত প্ৰায় মেঘে আওৰি থাকে। মাওত থাইকৈ 'অঙ্গমি নগাবে' বসতি। ইইঁত খুঁজাক আক সাহিয়াল। ভালেমানে সিইতক মঙ্গোলীয়ানবিলাকৰে সন্ততিসন্ততি বুলি বিবেচনা কৰে। ইইঁত বঙিয়াল আক সঙ্গীতপ্ৰিয়। ইইঁতে ভূত-প্ৰেতক পূজা কৰে। পৰ্ব্বতৰ ওপৰত ইইঁতৰ গাওঁ। এই গাওঁবিলাকৰ চাৰিওফালে শিল আক থাল। নগাইতৰ যুদ্ধৰ সামগ্ৰী হৈছে সাতহাতমান দীঘল 'নগাযাঠি' আক দা। ভালেমানৰ হাতত পুৰণিকলীয়া বন্দুক আছিল—আজিকালি সেইবিলাক বজাঘৰে আঘ্মসাৎ কৰিছে।

চকুৰে নেদেখিলে অকল মুখেৰে মাওৰ বৰ্ণনা দিয়া অসাধ্য। দেখিলে এনে ভাব হয় যেন প্ৰকৃতি দেৱীৰ পূৰ্ণ বিকাশ এই মাওৰ মাজেদিয়েই ফুটি ওলাইছে। পাহাৰৰ ওপৰত সৰু-বৰ গছ-গছনিবিলাক বিধাতাই যেন নিজ হাতেবেহে শাৰী-শাৰীকৈ সজাই থৈছে। ঠাৰে ঠাৰে ওখ ওখ গছবোৰ ফলে-ফুলে সুশোভিত মনমোহা লতাই মেবাই ধৰি ৰৌয়াই দিছে—যেন আকুল পথিকসকলক মুৰ ৰৌয়াই অভ্যৰ্থনাহে জনাইছে। আধা লুকাই, আধা দেখুৱাই ছেগা-চোৰোকাকৈ শিলবিলাকৰ কাষে কাষে সৰু সৰু লতাবিলাক ফুলি গিছে অপৰূপ দৃশ্যৰ সৃষ্টি কৰিছে, দেখিলে এনে ভাব হয় যেন মলয়া বতাহৰ চেৰেঙে চেৰেঙে হালি-জালিকৈ নাচিব লাগিছে আৰু দৰ্শকসকলক দেখি যেন লাজত এবাৰ তলমুৱ কৰিছে আৰু এবাৰ লুকাভূকিহে খেলিছে। পাহাৰৰ ওপৰবপৰা কুলু কুলু সুৰ ধৰি জুৰি কেইটি বাগৰি আহিছে—অজানা প্ৰিয়াৰ সন্ধানত। লগতে উজাই আহিছে চিকমিকোৱা নানাতবহৰ শিলগুটি, প্ৰিয়াজনৈ উপহাৰ।

মোৰ কথা শুনি তোমালোকে হাঁহিছা। নগানাগিনীৰ

কথা শুনিলে দেখোন তন্ময় হবা। তেনে বিতোপন আৰু সুস্থ শৰীৰ তোমালোকৰ মাজত এজনৰো নোলাব। যি হে লোদৰ-পোদৰ শৰীৰ, নোকোহা-নোকোহ হাত-ভৰি। নগা-ছোৱালীহঁতৰ নো ৰূপ চাবা কি! বেচেৰীহঁতৰ অসীম চেনেহ আৰু সাহসৰ পৰিচয় দিছে বহল বুকুৱে। সেন্দুৰীয়া ওলমি পৰা গাল দুখন যেন পকা-থেকেৰাহে। চকুৰ নো জ্যোতি চাবা কি! এই সৌন্দৰ্য্যৰ লগত ৰজিতা খুৱাই পিন্ধিছে প্ৰকৃতিৰ গছপাতৰ আভৰণ। প্ৰকৃতিৰ ভৰালত সিহঁতৰ নিমিত্তে বাছকবনীয়া আহাৰৰো অভাৱ নাই। দেহি ঐ! সভ্যতাৰ গোন্ধ নোপোৱা নাগ-নাগিনীবিলাক কেনে নো ধুনীয়া—কেনে সৰল! সেই কোমল সুঠাম দেহত কিমান যে বল! পাহাৰত বগুৱা বাই বাই একোজনী ছোৱালীয়ে জুৰিৰপৰা পানী কঢ়িওৱা দেখিলে আচৰিত হবা। বতাহ বৰষুণ নিত্য সহচৰ। বৰষুণ যেন স্বৰগৰ মন্দাকিনী হে। মুনিহ-তিৰোতাৰ ভিন্-পৰ নাই। দুয়োৰো সমান দাবী আৰু সমান আসন। বিয়াবাৰু কোনো ধৰাবন্ধা নিয়মৰ তল নহয়। দৰাকন্যাৰ মনৰ মিলনেই বিয়া। ধৰ্ম্মৰ দোহাই দি অধৰ্ম্মৰ খোৰোচা গাঁঠি ডিঙিত মেৰোৱা সিহঁতৰ নীতিৰ বাহিৰ।

পাহাৰৰ ওপৰৰ সৰু পজা এটাত আশ্ৰয় ললোঁ। অকল সৌন্দৰ্য্য উপভোগ কৰি সময় কটোৱা আহুকাল হ'ল। সেই সময়ত নগা পাহাৰৰ পখিলা ধৰি বিলাতলৈ পঠিৱা এটা ব্যৱসায় আছিল। ময়ো এই কামতে হাত দিলোঁ। নানাতৰহৰ পখিলা বিচাৰি পাহাৰ চলথ কৰিলোঁ, জীৱিত পখিলাৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ ধৰিলোঁ—তাৰ অকণমান প্ৰাণটো কাঢ়ি। পখিলাৰ পাছে পাছে ঘূৰি ঘূৰি সিহঁতক হত্যা কৰি বীৰত্ব প্ৰকাশ কৰিছিলোঁ। নিলগতে বৈ হোজা নগা-নাগিনীবোৰে মোৰ কাৰ্য্যকলাপ দেখি মাথোন হাঁহিছিল। পজাটিৰ সমুখেদিয়েই প্ৰেমৰ নিজৰা বুকুত বান্ধি জুৰি এটি বৈ গৈছে। এঁকা-বেঁকাকৈ পাহাৰৰ মাজেদি শিলৰ ওপৰেদি সৰু-বৰ ঢৌ তুলি নাচি নাচি বৈ যোৱা জুৰিটি চাই বৰ ভাল লাগে। নগাছোৱালীহঁতে মাজে সময়ে আহি জুৰিটিত ধেমালি কৰে আৰু নিলগৰপৰা মোলৈ ভেৰা লাগি একেথৰে চাই থাকে।

.....নিতৌ সন্ধিয়াপৰত গাভৰু নগা-ছোৱালী এজনীয়ে জুৰিটিৰপৰা পানী নিবলৈ আহে। হাতেৰে চলু-চলুকৈ জুৰিটিৰ পানী লাওৰ কলহত ভৰাওঁতে ভালেমান পৰ হয়। সন্ধিয়াৰ শেষ কিৰণে ছোৱালীটিৰ গোলাপী গালত ৰহণ সানি ৰূপতে ৰাং চৰাই দিয়ে। কেতিয়াবা কেতিয়াবা বেচেৰীয়ে জুৰিটিৰ গালৈ শিলগুটি দলিয়াই ধেমালি কৰে, জানিবা প্ৰণয়ৰ বাণহে বৰষিছে। প্ৰথমে প্ৰথমে ছোৱালীজনীলৈ মোৰ বিশেষ চকু নগৈছিল। কিবা সৌন্দৰ্য্যই যে তাইক বিভূষিত কৰিব পাৰিছিল, তেনে মনত নাছিল। কিন্তু লাহে লাহে কিবা এটি আকৰ্ষণী শক্তিয়ে মোক তাইৰ ফাললৈ টানিলে।

তোমালোকে চাগৈ মনে মনে ভাবিছা, কোনোবা উপন্যাসৰ কথা চুৰ কৰি তোমালোকৰ আগত দাঙি ধৰিছোঁ। দৰাচলতে মানুহৰ ভাৱ জড়-জগতৰ বাহিৰত নহয়। আজিৰ ভাবনা কাইলৈ যে বাস্তৱত ফুটি ওলাব নোৱাৰিব তাৰেই বা প্ৰমাণ কি? আজিৰ অসম্ভৱ কালৰ সোঁতত পৰি দৈনন্দিন জীৱনৰ সামগ্ৰীৰ তালিকাত ভুক্ত নহব বুলি কোনেও ডাঠি কব নোৱাৰে।

পানী বুৰাই বুৰাই ছোৱালীজনীয়ে মোলৈ চাই থাকে আৰু সময়ে সময়ে নিজে-নিজেই ঢেক্-ঢেক্কৈ হাঁহে। মই হলে একো বুজিব নোৱাৰি ৰ-লাগি চাই থাকোঁ। ভাব-ভঙ্গীৰেই বেচেৰীয়ে অন্তৰৰ কথা প্ৰকাশ কৰিবলৈ চেষ্টা কৰে। মই যেন তাইৰ হাঁহি ধেমালিৰ বস্তুহে হলোঁ। মানুহৰ অন্তৰৰ কথা বুজা বৰ কঠিন। কেতিয়াবা নিচিনা-নজনা মানুহৰ প্ৰতিও ইয়াৰ এনে আকৰ্ষণ হয় যে সেই আকৰ্ষণৰ পৰা মুক্তি লভা অসম্ভৱ হৈ পৰে। হিয়াই হিয়াই চিনা-পৰিচয় হলেই বোধ কৰোঁ এই আকৰ্ষণৰ টান আৰম্ভ হয়।

পুৱা শুই উঠি শিল এচপৰাত ৰ'দ-কাচলিত বোৰ্ড এখনত পিন মাৰি মাৰি পখিলা সজাইছোঁ। এনেতে ক'বাৰ পৰা নগাছোৱালীজনী ওলালহি। মুখৰ ভিতৰতে কিবা এষাৰ বিং-বিঙাই খিল্খিল্কৈ হাঁহিবলৈ ধৰিলে।

তাৰ পিছত ঘপহ-কৰে কিছুমান মৰা পখিলা কোঁচৰপৰা উলিয়াই দিলে। অবাক্ হলোঁ—তথাপি নোসোধাকৈ নোৱাৰিলোঁ—"এইবোৰ নো তোক কোনে আনিবলৈ কৈছিল?"

আকাৰ-ইঙ্গিত আৰু আধা-বুজা ভাষাৰে তাই মোক জনালে যে সদায় মই পখিলাৰ নিমিত্তে ব্যাকুল দেখি কেইবাদিনো চেষ্টা কৰি এইখিনি গোটাই আনিছে। ভৱিষ্যতে আৰু গোটাই দিব। কথাখিনি শুনি ধন্যবাদ এজোলোকা দিবলৈ মুখ নৌ-মেলোতেই তাই লৰ মাৰিলে। নিলগত মাথোন শুনিলোঁ—তাইৰ হাঁহিৰ খিল্-খিল্ শব্দ।

সেইদিনাৰেপৰা বেচেৰীক আৰু ভাল লগা হ'ল। মোৰ মনত থকা লাজৰ ঢাকনীখনি খহি পৰিল। তাইৰ অন্তৰৰ ভাব আৰু মনৰ কথা বুজিবলৈ চেষ্টা কৰিলোঁ। তাই জানিবা মোৰ বুকুৰ বান্ধৈ হে হ'ল। তাইৰ হাঁহিত স্বৰ্গীয় সৌন্দৰ্য্য, চাৱন আৰু কথা-বতৰাত চেনেহৰ ৰেখা বিৰিঙি পৰিছিল। নগাৰ ছোৱালী বুলিও তাইৰ প্ৰতি অলপো ঘৃণাৰ ভাব মনত নুপজিল। কোনোবা দেৱবালাই নন্দন কাননৰ বাট পাহৰি আহি ইয়াত এই নাগিনীৰ ৰূপ ধাৰণ কৰিছে। লাহে লাহে আমাৰ মাজত কথা-বতৰা চলিবলৈ ধৰিলে। বেচেৰী যেন সদায় মোৰ চিন্তাতেই ব্যাকুল। দিনে দিনে নতুন নতুন পাহাৰী ফুলে আৰু পখিলাই মোৰ ঘৰ উপচি পৰে। মোৰ মুখত হাঁহি দেখিলে বেচেৰীৰ আনন্দৰ পাৰ নোহোৱা হয়। মাজে সময়ে পাহাৰৰ, চাঙৰ, নাইবা মাক-বাপেকৰ কথা কৈ বেচেৰীয়ে মোক তন্ময় কৰি দিয়ে। সেই সময়ত ময়ো তন্ময় হৈ তাইৰ মুখলৈ চাই থাকি ভাবোঁ—"ইমান কথা ক'ত শিকিলি আজলী?" কেতিয়াবা আকৌ মোৰ অন্তৰৰ বিষাদ বেদনাৰ আঁহ উলিয়াবলৈ তাই প্ৰশ্ন কৰে,—"ভৈয়ামৰ কোনোবাই তোমাক কষ্ট দিলে নে কি?"...এদিন সন্ধিয়া তাই কন্দনামুৱা হৈ কলেহি যে মোৰ লগত আৰু আগৰ দৰে হাঁহিমাতি ফুৰিবলৈ তাই আহিব নোৱাৰে; কিয়নো মাকবাপেকে তাইক হাক দিছে। অৱশ্যে তাই ভালকৈ বুজে যে মাকবাপেকে কেতিয়াও তেনে কথা নিজৰপৰা নকয়। গঞাই হেনো কৈছে যে ভৈয়ামৰ মানুহত বিশ্বাস নাই। তাই আগ্ৰহেৰে মোক সুধিলে,—"সঁচাকৈয়ে ভৈয়ামৰ মানুহত বিশ্বাস নাই নে?" মই কলো,—"মোত তোৰ বিশ্বাস হয় নে নহয় লাপৈ! তই যদি মোৰ ওচৰলৈ আৰু নাহ, তেন্তে মই মৰি যাম।" কথা শুনি বেচেৰীৰ মুখ ক'লা পৰি গ'ল আৰু তাৰ পিছত উত্তৰ দিলে,—"ধ্যেৎ, মৰিম বুলিব নাপায় নহয়।" কথাষাৰ কৈয়ে হাঁহি এটা মাৰি গুচি গ'ল। কি অদ্ভুত প্ৰাণী!

তথাপি লাপৈয়ে দিনটোত মোৰ গুৰিৰপৰা এপাক ভুমুকি নমৰাকৈ নগৈছিল। মোৰ যেন তাই সুখ-দুখৰ লগৰী। মোৰ আনন্দত তাইৰ হাঁহি, মোৰ বেজাৰত বেচেৰীৰ চকুলো। সন্ধিয়া জুই পুৱাইছোঁ, লগতে পোৱা আলুৰ বাকলি গুচাই তপতে তপতে মুখত ভৰাইছোঁ; লাপৈ আহি ওলাল।

—"লাপৈ! তোৰ অকণো ভয়-শঙ্কা নাই?"

—"তোৰ জানো আছে? ইয়াতে দেখোন অকলে অকলে বহি থাক?"

—"মই যে এটা মানুহ।"

—"তিৰোতা মানুহে হবলা ভয় কৰিব পায়?"

—"বাৰু লাপৈ! কচোন, তই মোক কিয় ভালপাৱ?"

—"মানুহে মানুহক ভালপোৱা জগৰ নে?" নগা-ছোৱালীজনীৰ কথা শুনি আচৰিত হলোঁ। আমাৰ সমাজ কূৰ্চ্চুট-কপট, হিংসা-দ্বেষেৰে পৰিপূৰ্ণ। মানুহক ভাল পোৱাই যে শ্ৰেষ্ঠ ধৰ্ম্ম, তাক আমাৰ সমাজে পাহৰি গৈছে। ভালেমান পৰ ভাবি-চিন্তি আকৌ কলোঁ—"লাপৈ! তোক মই বৰ ভালপাওঁ; বল, আমি দুয়ো ইয়াৰ পৰা গুচি যাওঁগৈ।"

—"ইঃ! আই-বোপাইক এৰি থৈ কেনেকৈ যাম? তহঁতৰ ভৈয়ামত জানো ইয়াৰ নিচিনা ধুনীয়া ঠাই আছে? হাবিৰ মাজে মাজে পাহাৰত বগাই ফুৰিবলৈ কেনে ভাল লাগে! আমাৰ এই ধুনীয়া পাহাৰখন এৰি কলৈ যাবি?"

সেইদেখিয়েই তো কয় জননী আৰু জন্মভূমিতকৈ ডাঙৰ বস্তু নাই। আজলী নগাছোৱালীয়েও মাক আৰু জন্মস্থান এৰি যোৱা কথা ভাবিব নোৱাৰে। হে অসম,

কি মায়াডোলেৰে তুমি মোক বান্ধি থৈছা ? কৰ্ম্মপীড়িত জীৱনত যেতিয়াই অৱসৰ পাওঁ, তেতিয়াই তোমাৰ ভাবনাত বিয়াকুল হৈ পৰো। তুমিয়েই মোৰ ধৰ্ম্ম—তুমিয়েই মোৰ প্ৰাণ। আকৌ বেচেৰীক সুধিলোঁ—"লাপৈ ! তই মোক বিয়া কৰাবি ? আমি দুয়ো একেলগে বেছকৈ থাকিব পাৰিম।" একে উশাহেই তাই কলে—"সিয়েঃ অনুগুম্বা ফওৱেন ৱা য়াদ্রে।"—অৰ্থাৎ ছিঃ এনে কথা কব নাপায় ! মই লাজ পাই তলমূৰ কৰিলোঁ। মোৰ অন্তৰৰ কথা তাই নুবুজাকৈ নাথাকিল। তাইৰ কথাত অপ্ৰস্তুত হ'লো বুলি ভাবি তাই সান্ত্বনা দি ক'লে—"তই বেয়া নাপাবি। মোক বিয়া কৰালে ভৈয়ামৰ মানুহে তোক ঘিণাব নহয়। মোৰ নিমিত্তে তই কেলেই দুখ সহিবি ? বিয়া নকৰাকৈয়ে দেখোন তই মোক ভালপাবি—মৰম কৰিব পাৰিবি। নোৱাৰিবি জানো ?"···কথাষাৰ কৈ হাঁহি এটা মাৰি বেচেৰীয়ে লৰ মাৰিলে। তাইৰ কথাৰ একো অৰ্থ বুজিব নোৱাৰিলোঁ। আজলী নগা-ছোৱালীজনীয়ে ইমান বিলাক কথা ক'ত শিকিলে ? তাইৰ যেন সকলোবিলাক কথাতে কিবা গূঢ়াৰ্থ আছে—মাথোন ফুটাই কব জনা নাই।···"গিন্" নগাহঁতৰ ডাঙৰ উৎসৱ। বছেৰেকত তিনি চাৰিদিনমান এই "গিন্" উৎসৱ পতা হয়। অসমীয়াৰ বিহুত যেনে আনন্দ, নগাহঁতৰো গিনত তেনে। নগাহঁতৰ মাজত এডোখৰ ৰাজহুৱা ঠাই থাকে। কেইবা বস্তিৰো নগা লগ-লাগি তাতে গিন্ পাতে। গিনৰ দিনা কাম-কাজ কৰিলে দেৱতাৰ খং উঠে বুলি সিহঁতৰ বিশ্বাস। দেৱতাৰ খং উঠিলেই পাহাৰৰপৰা জুই ওলাব আৰু মাৰি-মৰক হ'ব। সেইদিনা লৰাৰ পৰা বুঢ়ালৈ সকলোৰে মনত আনন্দ। পুৱাতে সকলোৱে মিলি গিন্ উপলক্ষে বাঁহৰ চুঙাত ভৰাই দকচি লাওপানী খায়। দুপৰীয়া সামৰ্থ্য অনুযায়ী দেৱতাৰ উদ্দেশ্যে কুকুৰা বলি দিয়ে। তাৰ পিছতহে ভোজ-ভাত খোৱা আৰম্ভ। আবেলি নানাতৰহৰ ৰং-ধেমালি কৰে। লগতে শৰীৰৰ বল পৰীক্ষা কৰা এটি আমোদৰ বিষয়। ধেনু-কাঁৰ মৰা আৰু পাহাৰৰ ওপৰৰ পৰা জপিওৱা আদিয়েই ঘাই পৰীক্ষা। আটাইতকৈ ভালকৈ পাৰ্গতালি দেখুওৱাজনক গছৰ পাত আৰু চৰাই পাখিৰে সজা মুকুট এটা পুৰস্কাৰ দিয়া হয়। সেই দিনা ৰাতি তেওঁক সন্মান দেখুৱাবৰ কাৰণেও ভোজ-ভাত খাই নাচ-গানেৰে নিশা কটায়। নগাহঁতৰ নাচ বাস্তৱিকে চাবলগীয়া।

আগদিনাই লাপৈয়ে গিনৰ বাতৰি দি গৈছিলহি। সন্ধিয়াতে ভাত দুটামান খাই বিছনাত পৰিলোঁ। ওচৰৰ নগাবিলাক 'কলানামা বস্তিৰ' গিনলৈ গৈছে। নিশা আৰু বিছনা মানুহৰ কল্পনাৰ সহায়। সংসাৰৰ শোক-তাপৰ সকলো চিন্তা-ভাবনাৰ সমাধান হয় ৰাতি বিছনাত। জীৱনৰ নানাতৰহৰ কথাই আগুৰি ধৰিলেহি। সমস্যা পূৰণ নৌ-কৰোতেই নিদ্ৰাদেৱীয়ে সকলো পাহৰাই পেলালে। টোপনি আৰু বিশ্ৰাম নোহোৱা হ'লে মানুহৰ পৰমায়ুৰ ঘৰ শূন্যত ৰ'লগৈ হেঁতেন। সংসাৰৰ তাপত জৰ্জ্জৰিত হোৱা শৰীৰত শান্তিৰ শীতল বাৰি ছটিয়াই নিদ্ৰাদেৱীয়ে দুগুণ উৎসাহে মানুহক কৰমৰ বাটলৈ পঠিয়াই দিয়ে।···কোনোবাই দুৱাৰত খুন্দিয়াইছে—সাৰ পালোঁ। ভয় লাগিল। মৃত্যুৰ আশঙ্কাত প্ৰাণ কঁপি উঠিল। মানুহে যিমানেই মৃত্যুক আহ্বান নকৰক—সাক্ষাৎ মৃত্যুক লগ পালে গা শিয়ৰি উঠে। কোনোবাই মোক মাতিছে। লাপৈৰ মাত—চিনি পালোঁ। লাহেকৈ দুৱাৰৰ দাংদাল গুচাই দিলোঁ।

—"তই আজি গিনলৈ যোৱা নাই জানো লাপৈ ?" গম্ভীৰভাৱে তাই উত্তৰ দিলে—"ওঁ"। লাপৈৰ অস্বাভাৱিক গাম্ভীৰ্য্যৰ কাৰণ নিৰ্ণয় কৰিব নোৱাৰি থোতা-মোজা খালোঁ। হুমুনিয়াহ এটা কাঢ়ি তাই লাহে লাহে কবলৈ ধৰিলে,—"তই এতিয়াই ইয়াৰপৰা পলা—ৰাতিপুৱাই সিহঁতে তোক কাটিবলৈ আহিব।"

আচৰিত হৈ সুধিলো,—"মোক কাটিব ? কিয় ?"

—"তহঁত যে ভৈয়ামৰ মানুহ, তহঁতে আকৌ নগা-ছোৱালীক ভালপাৱ কিয় ?" বেচেৰীৰ চকুৰেদি দুধাৰি লো বৈ গ'ল। নগা-ছোৱালীয়েও কান্দিব জানে ! তাইৰ অন্তৰৰ কথা বুজিবলৈ বাকী নৰল। কিমান এটা ডাঙৰ শোকে আমাৰ দুয়োৰো প্ৰাণত আঘাত দিছেহি। থিৰেৰে থাকিব নোৱাৰি লাপৈৰ ডিঙিত সাৱটি ধৰি কলো,—

"লাপৈ ! তয়ো তেন্তে মোৰ লগতে ওলা—আমি দুয়ো কোনোবা দেশলৈ গুচি যাওঁগৈ।"

—"আৰু নকবি ; মোৰ কথা তই আৰু নাভাবিবি। মোতকৈ ধুনীয়া ধুনীয়া ছোৱালী ভৈয়ামত বহুত পাবি। এতিয়া ওলা—মই তোক আগবঢ়াই থৈ আহোঁগৈ। সিহঁতে এতিয়া ভোজ-ভাত খাইছে—মোক আৰু নিবিচাৰে।"

—"নহয়, লাপৈ ! তোক এৰি থৈ মই আৰু ক'লৈকো এখোজো নলৰোঁ।" এই বুলি মই বহি পৰিলোঁ। ধিমিক্-ধামাক্কৈ জলি থকা চাকিটিৰ পোহৰত দেখিলোঁ যে তাইৰ মুখখনি কেহৰাজৰ পাতৰ দৰে হৈ পৰিছে। কপালত ঘাম—কিবা যেন ঘোৰ সমস্যাত পৰি বাট-পথ হেৰুৱাইছে। তাৰ পিছত খপ্ কৰে মোৰ হাতত ধৰি কলে,—"মোৰ মূৰ খা—তই উঠ, তই এতিয়া পলাবই লাগিব। মোলৈ যদি মৰম আছে তেন্তে মোৰ কথা শুন।" এই বুলি উত্তৰলৈ বাট নাচাই হাতখনত ধৰি ছো-ছোকৈ তাই মোক টানি লৈ গ'ল। একো কবলৈ শক্তি নহল—তাইক অনুসৰণ কৰিলোঁ। ময়ো বুজিছিলো যে সংসাৰৰ সকলোবিলাক পাপ আৰু অত্যাচাৰতকৈ লোকৰ চেনেহৰ প্ৰত্যাখ্যান কৰাৰ সমান ডাঙৰ একো নাই।

···পাহাৰৰপৰা নামি ঘাই বাটৰো ভালেমান আহিলোঁ। লাহে লাহে লাপৈয়ে কলে,—"তই এতিয়া যাগৈ। ভয় নকৰিবি, সিহঁতে আৰু এতিয়া লগ ধৰিব নোৱাৰে।" শোকে বুকুত খুন্দা মাৰি ধৰিলে। মাতিলোঁ, "লাপৈ !" অন্ধকাৰত খেপিয়াই চাওঁ যে লাপৈ আৰু তাত নাই। কান্দিলোঁ—বহুত কান্দিলোঁ। কান্দোনৰ সোঁতত হিয়াৰ গুপুত বেদনাৰ জাঁজিসোপা উটুৱাই দিবলৈ চেষ্টা কৰিলোঁ ; কিন্তু নোৱাৰিলোঁ। গধুৰ হিয়াখনি লৈ অন্ধকাৰৰপৰা গভীৰ অন্ধকাৰলৈ আগ বাঢ়িলোঁ—লাপৈৰ আদেশ।

···আকৌ কলিকতা ওলালোহি। সময়ৰ চাকনৈয়াত বাগৰি-জুগৰি ফুৰিছিলো। অলপ সময়ৰ ভিতৰতে বহুল পৰিবৰ্ত্তন। মোৰ জীৱনৰ চাৰিওফালে কেতবোৰ সাঁথৰহে সজাই থৈছে। কোনোটোৰেই অৰ্থ ভাঙিব পৰা নাই। যিটোতেই হাত দিছোঁ, সেইটোৰেই অৰ্থ ভুল হৈ গৈছে—মাতৃৰ মৃত্যু, ফুলৰ প্ৰত্যাখ্যান আৰু লাপৈৰ বিদায় !

ডাক্তৰ বৰুৱাৰ চকু ধুল্‌ধুলীয়া হৈ পৰিছিল। কথা-খিনি শেষ হোৱাৰ লগে লগে খিৰিকীয়েদি ডিঙি মেলি চাই কলে—"অ' বাট তেনেই খৰখৰীয়া হৈ পৰিল। মই যাওঁ দিয়া।" এই বুলি বাহিৰ ওলাই গল। শেষবাৰ তেওঁৰ চকুত ভালকৈ পানী ওলাইছিল নে নাই, মন কৰিবলৈ নহল।*—(শেষ)

* ডাক্তৰ বৰুৱাৰ আটাইখিনি কথা মনত নাই। থকাখিনিকে কোনোমতে জুকিয়াই ৰাইজৰ আগলৈ আগবঢ়ালো। যত কথা পাহৰা হৈছে তাত (···) এনে চিন ব্যৱহাৰ কৰিবলৈ বাধ্য হলোঁ।

বেদের স্বরূপ

—শ্রীযুত জীরেশ্বর শর্ম্মা, বি-এ

বেদের নামেই বেদের পরিচায়ক। কিয়না ইহার মূল প্রকৃতিগত অর্থ বিচারিলে পোরা যায় বিদ্ ধাতু to know অর্থাৎ জানা। বিদ্ জ্ঞানে—বিদ্+ঘঞ্=বেদঃ। * তেন্তে বেদ শব্দের যৌগিক অর্থ অনুসন্ধান করি পোরা গল যে বেদ মানে জ্ঞান—জ্ঞানভাণ্ডার। এই জ্ঞান যেই সেই জ্ঞান নহয়; ই তত্ত্বজ্ঞান, অনুভূতিলব্ধ জ্ঞান, ভ্রম, প্রমাদ আরু বিপ্রলিপ্সাবিহীন ঋষিকলর দিব্যদৃষ্টিরে লব্ধ দিব্যজ্ঞান। ধর্ম্ম, অর্থ, কাম, মোক্ষ প্রভৃতি চতুর্ব্বর্গ আরু সৃষ্টি, স্থিতি, প্রলয়, তত্ত্ব প্রভৃতি জ্ঞানগত বিষয়সমূহ যে শাস্ত্রর সাহায্যেরে জানিব পরা যায় তারেই নাম বেদ। মহর্ষি যাজ্ঞবল্ক্যই বেদর এই যৌগিক অর্থর প্রতি লক্ষ্য রাখি কৈছে যে আত্মহিতকর যিবোর উপায় প্রত্যক্ষ নাইবা অনুমানর সাহায্যেরে জানিব নোরারি বেদর দ্বারা সেই উপায়বোর জনা যায় বুলিয়েই বেদর বেদত্ব (১)। কিন্তু পূর্ব্বাচার্য্যসকলর ভিতরত বহুতে এই মত সমর্থন নকরি বেদর লক্ষণ সম্বন্ধে নানাজনে নানা মতভেদ প্রকাশ করি গৈছে। তার ভিতরত শ্রৌতসূত্রকার কাত্যায়ণ আরু আপস্তম্বর মতে মন্ত্রভাগ আরু ব্রাহ্মণ-ভাগর সমষ্টির নামেই বেদ (২)। সায়নাচার্য্যর মতে মন্ত্র আরু ব্রাহ্মণ আকারে থকা শব্দসমূহর নাম বেদ (৩)। তার্কিকসকলে মীমাংসাধারী ভগবানর বাক্যবাশিকেই বেদ বোলে (৪)। বৈদান্তিক-সকলর মতে ধর্ম্ম আরু ব্রহ্মস্বরূপ প্রতিপাদক অপৌরুষেয় বাক্যপুঞ্জর নাম বেদ (৫)। শেষত তান্ত্রিকসকলে কয় যে অপৌরুষেয় আগমসমূহর নামেই বেদ (৬)।

সম্প্রদায়ভেদে উক্ত প্রকার মতভেদ থাকিলেও বেদর প্রতিপাদ্য বিষয় যে জ্ঞানগত অর্থাৎ বেদ যে দিব্যজ্ঞানর ভাণ্ডার এই কথাত সকলোরে মত একে। এই পুঞ্জীভূত দিব্যজ্ঞানর আকরস্বরূপ বেদেই হিন্দুর, ভাবতর আর্য্য জাতির শিক্ষাদীক্ষা আরু সভ্যতার উৎস, ভারতীয় আর্য্য ধর্ম্মর ভিত্তি আরু ভারতীয় সামাজিক বিশিষ্টতার প্রাণ। হিন্দুধর্ম্মর নিচিনা বৃহৎ উদার ধর্ম্ম যে পৃথিবীত নাই, সি যে ইমান বিচিত্র, ইমান জটিল, তার ভিতরত যে কত ভিন ভিন প্রকারর শিক্ষাদীক্ষা, আচার-ব্যবহারর ধারা আহি মিলিছে আরু হিন্দুধর্ম্মই যে উদারভারে সেই সকলোকে গ্রহণ করি নিজর করি লৈ সার্ব্বজনীন ভাবর পরিচয় দিছে এই বহুতর গূঢ় তত্ত্ব পোরা যায় একমাত্র বেদত। কত যুগ-যুগান্তর অতীত হল, কত রাজনৈতিক সামাজিক বিপ্লর ভাবতর বুকেদি বাগরি গল, কত অজ্ঞা-ত্যাচারত দেশ জীর্ণশীর্ণ হল, কত সাময়িক ধর্ম্মবিপ্লবত ভারতমাতা ম্লানবদনা আরু মলিনা হল কিন্তু তথাপি আজিও ঋগ্বেদীয় ঋষি দীর্ঘতমার বাণী যেন ঠিক তেনে সজীর, তেনে পবিচিত; আজিও প্রকৃত হিন্দুস্তানর, তাতকৈ বেছি ভারতমাতার প্রাণ যেন অনুপ্রাণিত হৈ নাচি উঠে সেই মহর্ষির "একং সৎ বিপ্রা বহুধা বদন্তি"

* "বেত্তি অনেন" অর্থাৎ ইয়ার দ্বারা জনা যায় এই অর্থত করণবাচ্যে 'ঘঞ্' এই কৃতপ্রত্যয় যোগ হৈ বেদঃ পদ নিষ্পন্ন হৈছে।

(১) প্রত্যক্ষেণানুমিত্যা বা যস্তূপায়ো ন বুধ্যতে
এনং বিদন্তি বেদেন তস্মাদ্ বেদস্য বেদতা।

(২) মন্ত্র ব্রাহ্মণযোর্বেদ নামধেয়ম্।

(৩) মন্ত্র ব্রাহ্মণাত্মকঃ শব্দরাশির্বেদঃ।

(৪) মীমাংসাবিচ্ছেদেন ভগবদ্বাক্যঃ বেদঃ।

(৫) ধর্ম্ম-ব্রহ্ম-প্রতিপাদকমপৌরুষেয়ং বাক্যং বেদঃ।

(৬) অপৌরুষেয়া আগমা বেদাঃ॥

রাক্যর দ্বারা। কত কাল বিস্মৃতির গর্ভত অন্তর্হিত হল আজিও সেই প্রথম মন্ত্র ওঙ্কারধ্বনি বৈদিকর মুখত শুনিলে কিবা এটি অপূর্ব্ব আনন্দময় পবিত্র ভাবত মন আপ্লুত হয়, লগে লগে মনত পরে কবীন্দ্র রবিঠাকুরর সেই কবিতাটিলে

"হেথা একদিন বিরামবিহীন মহা ওঙ্কার ধ্বনি
একের মন্ত্রে হৃদয় তন্ত্রে উঠেছিল রণরণি।"

যি গায়ত্রী মন্ত্র আজিও আমার নিশ্বাস-প্রশ্বাসেরে মৈতে জড়িত সেই মন্ত্র এদিন প্রথম উচ্চারিত হৈছিল বৈদিক ঋষিকুল ঋষি বিশ্বামিত্রর মুখত। আজি এই বিংশ শতাব্দির বৈজ্ঞানিক সভ্যতার দিনতো হিন্দুর সামাজিক জীবনর প্রধান প্রধান কর্ত্তব্য বা সংস্কার—বিবাহ, চূড়াকরণ প্রভৃতি দশকর্ম্ম সম্পন্ন হয় বৈদিক ঋষির নির্দ্দেশ অনুসরি।

সেই কারণে হিন্দুর বিশ্বাস যে বেদ নিত্য, সনাতন, শাশ্বত ধ্রুব অবিকল্প, চিরসত্য আরু অপৌরুষেয়। সৃষ্টি পাতনিলে পরা, নহয় সৃষ্টির পূর্ব্বেরে পরাই বেদ বর্ত্তমান বেদ কোনো মানুহে তৈয়ার করা বস্তু নহয়—বেদর সৃষ্টিকর্ত্তা শরীরধারী পুরুষ হব নোরারে—হোরা অসত্তর —স্বয়ং ঋষিকলো নহয়। বৈদিক ঋষিসকলে মাথোন দিব্য শ্রবণেরে বেদমন্ত্র শুনিছিল, দিব্যদৃষ্টিরে দেখিছিল (৭) আরু তাকে সজাই-কচাই বেদ আকারে রাখি গৈছিল (৮)। অতীন্দ্রিয় বেদর মন্ত্রবাণি পরমেশ্বরর অনুগ্রহত পোন-প্রথমে ঋষিকলর দিব্যদৃষ্টিগোচর হৈছিল বুলিয়েই ঋষিকলর ঋষিত্ব (৯)। তপস্যা করি থাকোতে থাকোতে স্বয়ম্ভু ব্রহ্মা ঋষিকলর অন্তরত আবির্ভূত হৈ তেওঁলোকক দিব্যজ্ঞানেরে জ্ঞানদীপ্ত করি তুলিছিল বুলিছে ঋষিকলে ঋষিত্বর দাবী করিব পারিছে; "The chief sacred Scripture of the Hindus—the Vedas register the intuitions of the perfected Souls."—Sir Radhakrishnan. ঋষিসকল অভ্রান্ত, ভ্রম, প্রমাদ আরু বিপ্রলিপ্সাবহিত আছিল বারে অনুভূতিলব্ধ বেদমন্ত্রবোর যথাযথভাবে রক্ষা করি যাব পারিছে। এইবারেই কোত্তা হয় যে ঋষিসকল বেদর মন্ত্রস্রষ্টা হে কর্ত্তা নহয়। বেদক যে অপৌরুষেয় বোলা হয় তারো কারণসমূহর ভিতরত ইও এটা।

কথিত আছে যে বেদবিদ্যা প্রথমে মুখে মুখে চলি আছিল আরু গুরু-শিষ্য পরম্পরাক্রমে শ্রুত আরু প্রচারিত হৈছিল, এই কারণে বেদর আন এটি নাম শ্রুতি। কিন্তু তার পিছত প্রধান সংগ্রহকার্য্য আরু শ্রেণীবিভাগ আরম্ভ হয় তেতিয়া যেতিয়া সমস্ত সংগৃহীত বেদরাজিক তিনভাগত ভাগ করি সজোরা হয়। সেই কারণে বেদর আন এটি নাম "ত্রয়ী"। ঋক্, সাম আরু যজুঃ এই তিনি পর্য্যায়ত তিনি প্রকারর মন্ত্র সজোরা হয়—ঋকত পদ্য, সামত গেয় পদ্য আরু যজুঃ অংশত গদ্যভাগ সন্নিবিষ্ট করা হয়। কিন্তু ইয়াত বেদর মন্ত্ররাজির সংগ্রহর অন্ত নপরিল; কেতবোর মন্ত্র ইতস্ততঃ বিক্ষিপ্ত হৈ রল; গতিকে বেদর সর্ব্বশেষ সংগ্রহ হোরা বুলিব লাগে যেতিয়া পূর্ব্বসংগৃহীত ত্রয়ীর ভিতরত স্থান নোপোরা বা পরবর্ত্তী কালত রচিত মন্ত্ররাশি সংগ্রহ করি অথর্ব্ব নামে আরু এটি পর্য্যায়ত ভুক্ত করা হল। এইদরে বেদর চারিভাগ বা চতুর্ব্বেদর সৃষ্টি হল।

পুরাণর মতে যিসকলে এই ইতস্ততঃ বিক্ষিপ্ত বেদমন্ত্র-রাজির সংগ্রহ কার্য্য করিছে তেওঁলোকর সাধারণ নাম বেদব্যাস। যুগে যুগে এইদরে আঠাইশজন বেদব্যাসে ভিন্ন ভিন্ন সংগ্রহ বা সংস্করণ তৈয়ার করি বেদর আধুনিক রূপ দিছে। সর্ব্বশেষ বেদব্যাস অর্থাৎ যার হাতত চতুর্ব্বেদ সমাপ্ত হল তেওঁ হৈছে মহাভারতকর্তাচা কৃষ্ণদ্বৈপায়ন বেদব্যাস। পুরাণে কয় যে ভবিষ্যতেও আকৌ বেদর নতুন বিভাগ বা সংস্করণ হব আরু বিজনা বেদব্যাসে এই কার্য্য করিব তেওঁর নাম হব দ্রৌণিব্যাস। মহাভারতর হরিবংশ পঢ়িলে অনুমান হয় যে সুদূর অতীতত সেই উর্ব্বর মস্তিষ্কর মহাপুরুষসকলে বিস্মৃতি কাক বোলে নাজানিছিল।

(৭) ঋষি দর্শনাৎ॥ দ্রষ্টারঃ ঋষয়ঃ—মূর্ত্তারঃ পরমেষ্ঠ্যাদয়ঃ।
(৮) অতীন্দ্রিয়ত্ব বেদস্য পরমেশ্বরানুগ্রহেন
প্রথমতো দর্শনাৎ ঋষিত্বম্।
(৯) যদেনানস্তপস্যমানান্ ব্রহ্ম স্বয়ম্ভু ভ্যানার্ষভূদৃষয়োঽভবন্
তদৃষীনাং ঋষিত্বমিতি বিজ্ঞায়তে—
ব্রাহ্মণ গ্রন্থেষু দৃশ্যতে।

কিন্তু কালক্রমে ব্রহ্মচর্য্যব অভাৱত পাঠকবর্গব ভিতবত বিস্মৃতিব উদয় হল আৰু এই বিস্মৃতি লাহে লাহে ঘনীভূত হবলৈ আৰম্ভ কবিলে। ছমাহব ভিতবতে মানুহে কথা পাহবিব ধবিলে। হবিবংশব বৃহস্পতিব উক্তিত পোৱা যায় যে সেই সময়তে বিধাতা পুৰুষে লেখ্য বৰ্ণমালা সৃষ্টি কবি তাব সাহায্যেবে বেদবিদ্যাক পত্ৰাৰূঢ় কবিলে (১০)। কিন্তু কোনোৱে যদি প্ৰশ্ন কবে যে এইজন কোন বৃহস্পতি আৰু সেই অষ্টাবক্ৰাবেই বা কোন জাতীয়—অসমীয়া, দেৱনাগৰী, নে চীনা তেন্তে তাব প্ৰত্যুত্তবত তুফাইভাব অবলম্বন কবাত বাহিবে আন কোনো সদুত্তব আছে বুলি আমাব প্ৰতীতি নহয়।

সি যি নহ'ক বেদব আজি আমি যি আধুনিক কপ দেখোঁ সি যে অভ্ৰান্ত ঋষিসকলব দিব্য দৃষ্টিলব্ধ দিব্যজ্ঞানব পুঞ্জীকৃত স্তূপ তাত আমাব অণুপো সন্দেহ নাই। কেতিয়া ক'ত এই মন্ত্ৰবোব বচিত হৈছিল—এই কথা লৈও নানা মুনিব নানা মত। লোকমান্য বাল গঙ্গাধব তিলকব মতে বৈদিক যুগ খৃঃ পূঃ ১০,০০০ব পৰা খৃঃ পূঃ ৫০০০ বছবলৈ। সুপ্ৰসিদ্ধ জাৰ্মান দেশীয় পণ্ডিত জেকোবিব মতে বৈদিক যুগ খৃঃ পূঃ ৬০০০ বছববপবা খৃঃ পূঃ ৪০০০ বছবব মাজ ছোৱাবত হে পবে। সৰ্ব্বশেষত পণ্ডিত মেকডোনেল চাহাবব মতে বৈদিক যুগ ২০০০ খৃঃ পূঃব পূর্ব্বে হব নোৱাবে। আমাব মতে লোকমান্য তিলকব মতেই সমীচীন বুলি অনুমান হয়—কিয়নো ইউবোপীয় পণ্ডিতসকলব ভাবতীয় শিক্ষা-দীক্ষা আৰু সভ্যতাব কাল আধুনিক যুগলৈ টানি অনা এটা প্ৰকৃতিগত স্বভাব হৈ পবিছে।

বেদব কাল যি নহ'ক—বেদব স্বকপ সম্বন্ধে আলোচনা কবাহে আমাব উদ্দেশ্য। বেদ যে অতি পুৰণি গ্ৰন্থ সি স্বতঃসিদ্ধব নিচিনা। আমাব আলোচ্য হৈছে বেদব স্বকপ কি, বেদব মৌলিকত্ব ক'ত আৰু সভ্যতাব জখলাব কোন স্তবত বেদব স্থান ?

খৃষ্টানসকলব যেনে 'বাইবেল', মুছলমানসকলব যেনে 'কোবান', আৰ্য্যধৰ্ম্মাবলম্বীসকলব 'বেদো' ঠিক সেই ধবণবেই এখন গ্ৰন্থ মাত্ৰ নে কি ? কাবণ বেদক আমি যি চকুবে চাওঁ, যিবোব বিশেষণব দ্বাবা বিভূষিত কবো খৃষ্টান সকলে 'বাইবেলক', মুছলমানসকলে কোবানক সেই চকুবে চায় আৰু তেনেবোব বিশেষণেবে বিভূষিত কবে। যদি এই কথা সত্য হয় তেন্তে বেদক আমি যি আসনত প্ৰতিষ্ঠিত কবোঁ, বাস্তবিকপক্ষে কবলৈ গলে বেদ তাব উপযুক্ত নহয়—বেদ সম্বন্ধে আমি যি কওঁ সি অত্যুক্তি মাত্ৰ। কাবণ প্ৰত্যেক ধৰ্ম্মসম্প্ৰদায়ে নিজ নিজ ধৰ্ম্মগ্ৰন্থব সকলোবে ওপবত স্থান দিয়া স্বাভাবিক (১)। গতিকে নিবপেক্ষ জ্ঞানকুবে নিবীক্ষণ কবি চালে দেখিবৈলৈ পাওঁ নে যে হিন্দুসকলে বেদক যে ইমান প্ৰকাণ্ড কবি তুলিছে তাব মূলত আছে বেছিভাগ জাতীয় অভিমান, স্বধৰ্ম্মব প্ৰতি অন্ধ অনুবাগ আৰু অস্থিমজ্জাগত এটা প্ৰাচীন সংস্কাব মাথোন ? সেইবাবে আজি নিবপেক্ষ জ্ঞান কাঠীবে পৰীক্ষা কবি চাব লাগিব আচলতে বেদব মূল্য কি। আজি গতানুগতিক বৈ প্ৰাচীনক মানি চলাব দিন নহয়। পণ্ডিতসকলে কৈ গৈছে—

"কেবলং শাস্ত্ৰমাশ্ৰিত্য ন কর্ত্তব্যো বিনির্ণয়ঃ।
যুক্তিহীন বিচাবে তু ধৰ্ম্মহানিঃ প্ৰজায়তে॥"

সেইহে আজি বিচাব কবি চাব লাগিব, প্ৰাচীনক মানি চলাব হেতু যথার্থ হয় নে নহয়, অর্থাৎ বেদক যে আমি হিন্দুসকলে অভ্ৰান্ত, নিত্য, সত্য, অপৌৰুষেয় প্ৰভৃতি আখ্যা দিওঁ আচলতে বেদ সেইবোব বিশেষণ পাবলৈ উপযুক্ত হয় নে নহয়। এই অনুসন্ধানব আজি নিতান্ত আৱশ্যক হৈ পবিছে।

আজি এই বিংশ শতাব্দিত এই অনুসন্ধান অনিবাৰ্য্য আৰু ইয়াব প্ৰয়োজনো আছে যথেষ্ট। খৃষ্টানসকলে বাইবেল, মুছলমানসকলব 'কোবান'ব মূলত দেখিবলৈ পাওঁ একো-একোজন ক্ষণজন্মা মহাপুৰুষ। যীশুখ্ৰীষ্ট

(১) It is essential to every religion that its heritage should be treated as sacred. A society which puts a halo of sanctity round its tradition gains an inestimable advantage of power and permdnence.—S. Radhakrishnan.

(১০) যাত্ৰাসিদ্ধেৰপি সময়ে ভ্ৰান্তিঃ সংজ্ঞায়তে নৃণাম্।
ধাত্ৰাঙ্কবনি সৃষ্টানি পত্ৰাৰূঢ়াদ্ভতঃ পুবা—(হবিবংশ)

বাদ দিলে খৃষ্টধৰ্ম্ম ক'ত ? মহম্মদক বাদ কাটিলে ইছলাম ধৰ্ম্ম অস্তিত্ববিহীন নহয় নে (১)? যীশুব বাণীব ওপবতে খৃষ্টধৰ্ম্মব ভিত্তি, যীশুব বাণীত একান্ত বিশ্বাসেই আত্মাব উন্নতিব উপায় আৰু যীশুব ধৰ্ম্মসাধনাব প্ৰণালী সকলোবে পক্ষে প্ৰযোজ্য বুলি নাভাবাটো মহাপাপ,—খৃষ্টধৰ্ম্মমতে আন ধৰ্ম্মগ্ৰন্থ নাইবা আন ধৰ্ম্ম সাধনাব পন্থা ভ্ৰান্ত আৰু অসম্পূর্ণ(২)। ইছলাম ধৰ্ম্মব কথাও ঠিক তেনে ধৰণব।

কিন্তু বৈদিক আৰ্য্যধৰ্ম্মব তেনে কোনো ধৰাবদ্ধা নীমা নাই—সি অতি বৃহৎ, অতি উদাব। হিন্দুব নানা সম্প্ৰদায়ব ব্যক্তিগত মতভেদ থাকিলেও সকলোৱে বেদব সত্যতা একমুখে স্বীকাৰ কবে আৰু বেদবাক্য নানাজনে নানাভাবে নিজব কবি লয়। বেদে কেতিয়াও নকয় যে যীশু কিম্বা মহম্মদব ধৰ্ম্ম সাধন প্ৰণালীবে আত্মাব উন্নতি হোৱা অসম্ভব। বৌদ্ধধৰ্ম্মব বহু কথা উপনিষদবপবা ধাৰ কবা। বৈদিক ধৰ্ম্ম হৈছে বিশ্বতোমুখ (৩), বহু প্ৰকাৰব তাত্ত্বিক ব্যাখ্যাবোধক (suggestive of many interpretations)।

(১) Do away with Jesus Christ Christianity is nowhere, do away with Mahammad Islam is no where, but the Vedic Dharma does not suffer if we do away with Krishna, Ram chandra, Hanuman or Chaitanyadeb. —Khan Burman.

(২) Christian theology takes its stand on the immediate certitude of Jesus as one whose absolute authority over conscience is self-certifying and whose ability and willingness to save the soul it is impossible not to trust. Christian theology becomes relevant only for those who share a particular kind of spiritual experience, and these are tempted to dismiss other experiences as illusory and other scriptures as imperfect.

(৩) The Hindu attitude to religion is interesting. While fixed Intellectual beliefs mark off one religion from another, Hinduism sets itself no such limits.

The Vedas bring together the different ways in which the religious minded of that age experienced reality and discribe the general principles of religious knowledge and growth. As the experience themselves are of varied character, so their records are many-sided (বিশ্বতোমুখম) which Jayatirtha (জয়তীর্থ) in his গ্ৰন্থতত্ত্ব interprets as "suggestive of many interpretations."—S. Radhakrishnan.

যি বস্তু স্বতঃসিদ্ধ বুলি প্ৰতীতি, যাব প্ৰতি অধিক পৰিমাণে বিশ্বাস আৰু শ্ৰদ্ধা স্বতঃপ্ৰেৰিত হয়, যাব কথাত সন্দেহব লেশমাত্ৰ উদ্ভব নহয় তেনে বস্তুব সম্পৰ্কে তত্ত্বানুসন্ধানব ইচ্ছা নজন্মা স্বাভাবিক। বক্ষণশীল হিন্দু সকলব বেদ সম্বন্ধে কোনোকপ সন্দেহ নাইবা তত্ত্বজিজ্ঞাসা হঠাৎ কাবণ এয়েই। বেদ সম্বন্ধে এই তত্ত্বানুসন্ধানব উদ্ভব হয় পোনপ্ৰথমে ইউবোপীয়সকলব দ্বাবা। উইবোপত ইয়াবেই নাম Higher Criticism অর্থাৎ তত্ত্বানুসন্ধান বা সমালোচনা। কেৱল বেদ সম্বন্ধেই নহয় ইউবোপে নিজব ধৰ্ম্মগ্ৰন্থ সম্বন্ধেও বহুদিন আগতে এই সমালোচনা তুলিছে আৰু সি আজিলৈকেও চলি আছে—কোনে কব কেতিয়া তাব অন্ত পবে। বিজ্ঞান চৰ্চ্চাব চৰম উৎকৰ্ষ লাভব বলত আজি ইউবোপব মনব ধৰণ আমাতকৈ সম্পূর্ণভাৱে বেলেগ। সি কেতিয়াও কোনো কথা সহজে মানি লব নোখোজে ; সত্য হলেও প্ৰতিপদে পৰীক্ষা কবি গ্ৰহণ কবাটোহে তাব স্বভাব। আহৰ্ষান কাল চলি আহিছে বুলি যে কোনো কথা স্বতঃপ্ৰামাণ্য বুলি ধবি লব লাগিব এই কথা ইউবোপে কেতিয়াও স্বীকাৰ নকবে। মানুহব মুখত শুনিও (on the evidence of authority) সি সহজে কোনো বস্তুব সত্যতা মানিব নোখোজে, সি নিজ চকুবে বস্তুটোক সাক্ষাৎ চাব খোজে, ছুই চাব পবা হলে ছুই চাব খোজে (observation and experiment) আৰু তেতিয়াহে বস্তুটোব সত্যতা স্বীকাৰ কবে। তাব প্ৰত্যেক কথাতে how and why লাগিয়েই আছে।

আমি হিন্দুজাতিয়ে এই বস্তু বহুকাল পূর্ব্বে হেবাইছোঁ; আমাবো যে এদিন এনে ধৰণব তত্ত্বজিজ্ঞাসু মন নাছিল

তেনে নহয়। ইউৰোপৰ এই সমালোচনাৰ মূল্য কিমান বেছি তাক নির্দ্দেশ কৰা অতি কঠিন। বৰ্ত্তমানে ইউৰোপৰ পৰা এটি নৱ জাগৰণ আহি আমাক যদি সচেতন কৰি দিয়ে—তেন্তে নিশ্চয় সেইবাবে আমি ইউৰোপীয়সকলৰ ওচৰত ঋণী।

যি বেদ হিন্দুজাতিৰ শিক্ষা-দীক্ষাৰ মূল, আনকি আৰ্য্য হিন্দুজাতিৰ অন্তৰাত্মাৰ প্ৰতিষ্ঠা সেই বেদৰ চৰ্চ্চা এসময়ত আমাৰ দেশৰপৰা একেবাৰে লোপ পাইছিল বুলিলেই হয়। এতিয়াও মূল বেদে সৈতে পৰিচিত মানুহৰ সংখ্যা অতি কম; বেদগ্ৰন্থ চকুৰে নেদেখা মানুহৰ লেখজোখ নাই। এনেকি, বহুত শাস্ত্ৰী আৰু পণ্ডিত, যিসকলে ব্যাকৰণ কিম্বা দৰ্শনৰ কোনো এটি বিভাগ পঢ়োতে গোটেই জীৱন অতিবাহিত কৰে—সেইসকলেও বেদৰ ফালে এবাৰ চকু মেলি চাবৰ আৱশ্যক আছে বুলি নাভাবে। আজি ইউৰোপত কিন্তু বাইবেলৰ ভাগ্য আন প্ৰকাৰ। "The most popular and the most widely read book on the surface of the Earth is the Holy Bible." পৃথিবীৰ ভিতৰত সৰহভাগ মানুহে বাইবেল ভালপায় আৰু পঢ়ে। আমাৰ নিত্য-নৈমিত্তিক অনুষ্ঠানৰ খাতিৰত—সন্ধ্যাবন্দনাদিত যি দুই-চাৰিটা বেদমন্ত্ৰৰে সৈতে সৰ্ব্বসাধাৰণৰ বিশেষকৈ ব্ৰাহ্মণ সমাজৰ পৰিচয় আছে সি অতি সামান্য আৰু উপহাসযোগ্য; কবলৈ গলে প্ৰায় "বিদ্যাস্থানে ভয়ে বচ"ৰ নিচিনা কিম্ভূতকিমাকাৰপ্ৰাপ্ত। বেদৰ অধ্যয়ন-অধ্যাপনা যি দুই চাৰিজনৰ ভিতৰত আবদ্ধ আছিল সিও মূল বেদক লৈ তিমান নহয়, যিমান তাৰ টীকা-টিপ্পনীক লৈ। নিৰুক্ত, পাণিনি, মীমাংসা আৰু সকলোৰে ওপৰত সায়নাচাৰ্য্যই বেদৰ আচল বস্তুক টীকা-টিপ্পনীৰে আচ্ছন্ন কৰি ৰাখিছিল—এই গহন গভীৰ অৰণ্যানী ভেদ কৰি বেদ শিখৰত আৰোহণ কৰিবলৈ কোনোৱে সাহ কৰা নাছিল। বেদৰ নাম শুনিছিল আৰু নমস্তস্মৈ নমস্তস্মৈ বুলি দূৰতে আতৰি ক্ষান্ত হৈছিল।

কিন্তু দুৰন্ত সাহসী ইউৰোপীয়সকলে এই দুৰ্গম দুৰ্গ ভেদ কৰি বেদৰ চাৰিওফালে থকা কুহেলিকাৰ পৰ্দ্দা ভাঙ্গিছিঙ্গি চুৰমাৰ কৰি পেলালে; আধুনিক চিন্তাবৃত্তিৰ নিকষ পাথৰত পৰীক্ষা কৰি বেদৰ স্বৰূপ উদ্ঘাটন কৰিলে। ইউৰোপৰ পক্ষে তেনে কৰাটো একো টান কাম নহয়; কিয়নো আমি হিন্দুসকলে বেদক অতি ভয়ভক্তি সহকাৰে অতি সন্তৰ্পণে স্পৰ্শ কৰোঁ—কিন্তু বিদেশী বিধৰ্ম্মীয়ে বেদক যথেচ্ছ ব্যৱহাৰ কৰিব পাৰে—তেওঁলোকৰ মানত বেদ এখন কিতাপ মাত্ৰ, মানুহৰ দ্বাৰা ৰচিত প্ৰাচীন গ্ৰন্থ বিশেষ। ইউৰোপৰ উদ্দেশ্য আছিল প্ৰাচীন কালৰ ভাৰতবাসীৰ বা আৰ্য্যজাতিৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম, মনোভাৱ আদি জানিবৰ নিমিত্তে বেদৰ অৰ্থ উদ্ধাৰ কৰা; কোনোৰূপ শিক্ষা-দীক্ষাৰ বাবে ইউৰোপে বেদৰ ওচৰ চপা নাই। ইউৰোপৰ এই দুঃসাহসৰ বলত ভাৰতবাসীৰ আন ফল হওক নহওক আজি ভাৰতবাসীয়ে এটি নতুন প্ৰেৰণা পাইছে যে আজি ভাৰতীয়সকলেও বেদক নানাভাৱে ওলট-পালট কৰি তাৰ নানান অৰ্থ উদ্ধাৰ কৰিবলৈ সাহসী আৰু সমৰ্থ হৈছে, বেদক নতুন চকুৰে চাবলৈ শিকিছে।

ৱেবাৰ, ৰোজেন, মেক্সমুলাৰ প্ৰভৃতি পাশ্চাত্য মনীষীসকলে সকলো সংস্কাৰ বৰ্জ্জিত হৈ উন্মুক্তমনে উন্মুক্ত চকুৰে বেদৰ সমালোচনা কৰি যি আবিষ্কাৰ কৰিলে সি হিন্দুৰ মানত এটি ভয়ানক আচৰিত বস্তু—ইমান আচৰিত যে হিন্দুসকলে যে আবহমান কাল বেদৰ প্ৰতি ইমান শ্ৰদ্ধা-ভক্তি দেখুৱাই বেদক নিত্য, সনাতন, অপৌৰুষেয় প্ৰভৃতি আখ্যা দি আহিছে তাৰ মূলত কোনো যুক্তি নাই, সি মাথোন এটি অস্থিমজ্জাগত কুসংস্কাৰ। ইউৰোপীয় পণ্ডিতসকলে কলে যে বেদ হৈছে মানৱ জাতিৰ অতি পুৰাতন কীৰ্ত্তি, মানৱজাতিৰ সৰ্ব্বপ্ৰথম সাহিত্য ৰচনাৰ চেষ্টা; বেদ মানৱ জাতিৰ আদিম কালৰ গাথা-সংগ্ৰহ। বেদত পোৱা যায়, অপৰিণত মানৱ সমাজৰ ভাৱ-চিন্তা, কাৰ্য্যকলাপ, আচাৰ-ব্যৱহাৰ প্ৰভৃতি। ইউৰোপৰ মতে বেদ 'চহাৰ গীত', বেদৰ ভাষা শিশুৰ মুখৰ অস্পষ্ট অশুদ্ধ ভাষা। এই অসংস্কৃত অসভ্য অৱস্থাত মানুহে প্ৰকৃতিৰ সকলো বস্তুকে প্ৰাণৱন্ত কৰি তুলিছিল। প্ৰকৃতিৰ লীলা-খেলাৰ পিছত একোটা অশৰীৰী শক্তিৰ সত্তা অনুভৱ

কৰিছিল। এই অশৰীৰী শক্তি অৰ্থাৎ দেৱ-দানৱ আদিলৈ ভয়ত আত্মৰক্ষাৰ নিমিত্তে কৰা স্তুতিবোৰেই বেদৰ মন্ত্ৰ। বৰষুণৰ বাবে ইন্দ্ৰ, বৰুণ আৰু ৰ'দৰ বাবে সূৰ্য্যদেৱক আৰাধনা কৰিছিল; উষাৰ মনোহৰ মূৰ্ত্তি দেখি উষাদেৱীৰ মঙ্গলগীতি গাইছিল আৰু ধুমুহা-বতাহৰ ৰুদ্ৰমূৰ্ত্তি দেখি ৰুদ্ৰদেৱতা আৰু মৰুৎ দেৱতাক স্তুতি নতি কৰিছিল। সেই আদিম অৱস্থাত মানুহৰ মন আছিল অতি সৰল। গতিকে তেওঁলোকে সৰল মনেৰে প্ৰকৃতিৰ কৰ্ত্তাৰূপে যিবিলাক দৈত্য-দানৱৰ শক্তিত বিশ্বাস কৰিছিল সেই শক্তিমান দেৱতাসকলৰ পূজা-অৰ্চ্চনা কৰাই আছিল তেওঁলোকৰ কৰ্ত্তব্যৰ প্ৰধান অঙ্গ। তেওঁলোকে নিতৌ ৰাতিপুৱা সেই দেৱতাসকলক প্ৰণতি জনাইছিল আৰু প্ৰাৰ্থনা কৰিছিল—দৈনন্দিন আৱশ্যকীয় বস্তু, সাংসাৰিক উন্নতি আৰু পাৰত্ৰিক মঙ্গল। তেওঁলোকৰ শত্ৰু আছিল ভাৰতৰ আদিম অধিবাসী দস্যুজাতি। সেই কাৰণে দেৱতাৰ ওচৰত অস্ত্ৰ-শস্ত্ৰ, শত্ৰুৰ পৰাজয় আৰু নিজৰ বিজয় ভিক্ষা কৰাই আছিল তেওঁলোকৰ স্বভাৱ। গৰু, ম'হ আৰু ভেৰাছাগলি আছিল তেওঁলোকৰ জীৱন ধাৰণৰ প্ৰধান উপায়।

দেৱতাসকলৰ তুষ্টি সাধনৰ নিমিত্তে তেওঁলোকে এটি অনুষ্ঠান পাতিছিল, তাৰ নাম যজ্ঞ। বিশেষ অঙ্গী-ভঙ্গীৰে সজাই-কচাই যজ্ঞবেদী পাতি তৰুতৃণ গছলতাৰে অগ্নি প্ৰজ্বলিত কৰিছিল আৰু সেই প্ৰজ্বলিত অগ্নিত ঢালিছিল ঘৃতাহুতি, দধি, যৱ, তিল, চাউল প্ৰভৃতি নানা তৰহৰ দ্ৰব্য। লগে লগে সকলোৱে সমবেত হৈ দেৱতাৰ ওচৰত নিবেদন কৰিছিল সোমৰস; তৃপ্তিলাভ কৰিছিল নিজেও সেই ৰস পান কৰি তেতিয়া সৰ্ব্বপ্ৰথম তেওঁলোকে এটি বস্তুৰ ব্যৱহাৰ শিকিছিল সেইটো হৈছে জুই বা অগ্নি। তেওঁলোকৰ বসতি আছিল শীতপ্ৰধান বৰফৰ দেশত। এই কাৰণে অগ্নিপূজা প্ৰধান যজ্ঞই আছিল তেওঁলোকৰ মূল অনুষ্ঠান আৰু অগ্নিদেৱেই মূল দেৱতা।

ইউৰোপীয় পণ্ডিতসকলৰ মতে এয়েই হল বেদ। বেদাৰ্থ নিষ্কাশন কৰি তেওঁলোকে পালে যে বেদ হৈছে অপৰিণত মানৱ জাতিৰ সাহিত্য ৰচনাৰ প্ৰথম চেষ্টা গ্ৰন্থ মাথোন। তন্ত্ৰমন্ত্ৰ জৰা-ফুকাত বাহিৰে বেদত আন একো নাই।

এতিয়া দেখা যাওক দেশীয় অৰ্থাৎ ভাৰতীয় মতে বেদ কি বস্তু, বেদৰ স্বৰূপ কি। বেদ সম্বন্ধে দেশীয় মত কি তাক দুইচাৰি কথাতে কৈ শেষ কৰিব নোৱাৰি। বিদেশী বিধৰ্ম্মীৰ মানত বেদ এখন সাহিত্যমূলক ইতিহাস মাথোন; কিন্তু ভাৰতীয়সকলৰ মতে বেদৰ স্বৰূপ সম্পূৰ্ণভাৱে ভিন্; ভাৰতীয়ৰ মানত বেদ নিত্য সনাতন শাশ্বত স্থাণু—পৰম পৱিত্ৰ দিব্যজ্ঞানৰ ভাণ্ডাৰ; বেদগ্ৰন্থ গভীৰ দাৰ্শনিক তথ্যেৰে পৰিপূৰ্ণ, ই আদিম মানুহৰ অপৰিণত মস্তিষ্কপ্ৰসূত ভাৱৰাশিৰ সমষ্টি নহয়—হোৱা অসম্ভৱ। বেদৰ প্ৰকৃত স্বৰূপ যদি এয়েই হ'লহেতেন তেন্তে সি ভাৰতীয় শিক্ষা-দীক্ষা আৰু আৰ্য্যপ্ৰতিভাৰ অধিষ্ঠান হব নোৱাৰিলেহেতেন; বেদ কেৱল "চহাৰ গীত" নাইবা আদিম শিশু মানৱ সমাজৰ প্ৰাচীন ইতিহাস মাত্ৰ হোৱা হলে তাৰ প্ৰভাৱ আজি বিংশ শতাব্দিত কেতিয়াও অনুভৱ কৰিব নোৱাৰিলোঁ হেতেন, সি কেতিয়াবাই লুপ্তপ্ৰায় হৈ বিদায় ললেহেতেন অথবা 'চাটিমাটি'ৰ সাধুৰ দৰে ক'ৰবাত পৰি থাকিল হেতেন।

কিন্তু ইতিহাসৰ পাত লুটিয়াই চালে দেখিবলৈ পাওঁ যে বৈদিক প্ৰভাৱে ভাৰতীয় জীৱনক যুগে যুগে ওতপ্ৰোত-ভাৱে জড়িত কৰি ৰাখিছে; ভাৰতীয় সাধনাৰ স্তৰে স্তৰে বেদৰ জ্বলন্ত জাগ্ৰত প্ৰভাৱ বিস্তৃত হৈ আহিছে। কোনে কব পাৰে, বেদৰ প্ৰতি এই সন্মানৰ হেতু অন্ধবিশ্বাস আৰু অস্থিমজ্জাগত কুসংস্কাৰ মাথোন? কোনে কব পাৰে, স্বাৰ্থৰ বশবৰ্ত্তী হৈ ভক্তি দেখুৱাবলৈ, কেৱল নিজধৰ্ম্মক সৰ্ব্বশ্ৰেষ্ঠ স্থান দিবলৈ ভাৰতীয়সকলে খাতিৰত বেদক মানি চলি আহিছে? জগতত কিমান সভ্যতাৰ উত্থান পতন হ'ল—গ্ৰীক আৰু ৰোমক সভ্যতা আজি ভূগৰ্ভৰ তলত; ইজিপ্ত, মিছৰ, বেবিলন প্ৰভৃতি কত দেশৰ সভ্যতা চুৰমাৰ হৈ গ'ল, সেইসকলৰ আজি ভূগৰ্ভত বাহিৰে আন ক'তো চিনচাব নাই বুলিলেই হয়। ভাৰতৰ ওপৰেদিও কত ৰাজনৈতিক ধৰ্ম্মনৈতিক বৈদেশিক বিপ্লৱ বাগৰি গৈছে তাৰ অন্ত নাই; কিন্তু

তথাপি ভাৰতীয় আৰ্য্যসভ্যতা হীনপ্ৰভ হলেও আজিলৈকে জীয়াই আছে আৰু ভবিষ্যতে থাকিব আৰু ইয়াক বিনাশ কৰা সহজ কথা নহয়। আজি এই বিংশ শতাব্দিতো আৰ্য্যধৰ্ম্মৰ প্ৰভাৱ অক্ষুণ্ণভাৱে ৰৈ আছে, আজিও ভাৰতে শ্ৰুতিৰ নিৰ্দ্দেশ পদে পদে মানি চলিছে; আনকি আজি ভাৰতীয় আইন-কানুনতো বেদপ্ৰভাৱ ফুটি ওলাইছে। তাহানি চৰ্দ্দাৰ-বিল পাছ কৰোতেও বৈদিক যুগৰ কন্যাৰ বিবাহকাল অনুসন্ধান কৰিবলৈ গৱৰ্ণমেণ্টেও বেদাৰ্থ নিষ্কাশন কৰিবলৈ বাধ্য হৈছিল।

এই সকলোৰে মূল কাৰণ হৈছে যে বেদ কেৱল এখন সাহিত্য পুথি অথবা আদিম মানৱ সমাজৰ ইতিহাসেই নহয়—বেদ প্ৰকৃততে অধ্যাত্ম-সাধনাৰ মন্ত্ৰাৱলী। এই অধ্যাত্ম-সাধনা যাৰ অলপো নাই তাৰ পক্ষে বেদাৰ্থ বুজিবলৈ যোৱা অনধিকাৰ চৰ্চ্চা। সকলোৰে পক্ষে বেদ যে অধ্যেয় নাছিল তাৰো কাৰণ ইয়াতেই পোৱা যায়। যেয়ে অধ্যাত্ম-সাধনাত সিদ্ধিলাভ কৰি বেদৰ অধিকাৰ অৰ্থাৎ বেদাৰ্থ হৃদয়ঙ্গম কৰিবলৈ উপযুক্ত হোৱা নাই তাৰ পক্ষেই বেদপাঠ নিষিদ্ধ বুলি বুজিব লাগে। কাৰো পক্ষে যে চিৰকাললৈ বেদপাঠ নিষিদ্ধ থাকিব পাৰে তাৰ কোনো অৰ্থ নাই; কিঞ্চিৎ পৰিমাণে অধ্যাত্ম-সাধনা আয়ত্ত কৰিব পাৰিলেই যেয়ে সেয়ে বেদৰ অধিকাৰী হব পাৰে। কেৱল বিচাৰ-বুদ্ধি অলপ পৰিমাৰ্জ্জিত হলেই বেদৰহস্য হৃদয়ঙ্গম কৰিবলৈ যথেষ্ট নহয়; অন্তঃকৰণৰ শুদ্ধি নিতান্ত আৱশ্যক। আমি নানা তৰ্কবিতৰ্ক কৰি বেদৰ ভাষাৰ অৰ্থ নানাজনে নানামতে কৰিব খোজোঁ; কিন্তু বৈদিক ভাষা যে কি অন্তৰঙ্গ ভাবৰ অভিব্যক্তি তাৰ তত্ত্ব আবিষ্কাৰ কৰিবলৈ যত্নৱান হলেও সমৰ্থ নহওঁ। যি সাধনাৰ ওপৰত বেদ-তথ্য প্ৰতিষ্ঠিত সেই সাধনা আনৰ কথা কি এই পুণ্যভূমিৰ অধিবাসী ভাৰতীয় সকলেই বহুদিন পূৰ্ব্বে হেৰাই পেলালে; গতিকে তৰ্ক-বুদ্ধিয়ে যে আজি আমাক অপথে-বিপথে লৈ যাব সি কোনো আচৰিত কথা নহয়। "নৈষা তৰ্কেন মতিৰাপনেয়া"—এই কথা উপনিষদকাৰে তাহানিখনেই কৈ থৈছে।

ইয়াতে প্ৰশ্ন উঠিব পাৰে, তেন্তে বেদ বুজিবৰ প্ৰকৃত পন্থা কি? ইয়াৰ উত্তৰ দুই প্ৰকাৰে দিব পাৰি—প্ৰথম হৈছে বৰ্ত্তমান যুগত বেদতত্ত্ব বুজিবলৈ হলে পোন-প্ৰথমে উপনিষদৰ ওচৰ চপা,—দ্বিতীয় হৈছে সকলো সংস্কাৰ বৰ্জ্জিত হৈ টীকা-টিপ্পনী বাদ দি মূল বেদমন্ত্ৰৰে সৈতে সাক্ষাৎ পৰিচিত হোৱা।

বৰ্ত্তমান কালৰ বেদাৰ্থ-অনুসন্ধিৎসুসকলৰ পক্ষে প্ৰথম পন্থা অবলম্বন কৰাটোৱেই লঘু উপায়; কিয়নো উপনিষদৰ চৰ্চ্চা আমাৰ দেশত বেদতকৈ বেছি পৰিমাণে আগেয়ে চলিছিল আৰু এতিয়াও চলি আছে। বেদক নহলেও উপনিষদক দেশী-বিদেশী আধুনিক যুগৰ উচ্চ শিক্ষিতৰ ভিতৰত বেছিভাগেই উচ্চ ধৰণৰ জ্ঞানভাণ্ডাৰ বুলি একমুখে স্বীকাৰ কৰে। উপনিষদৰ ভাব আৰু ভাষা বেদতকৈ অপেক্ষাকৃত আধুনিক। বৰ্ত্তমান যুগৰ মানৱ জাতিৰ চিন্তাৰ ধাৰাই তাক সহজতে হৃদয়ঙ্গম কৰি নিজৰ কৰি লব পাৰে। অনেক ঠাইত আধুনিক দাৰ্শনিক ভাবৰ লগত তাৰ ভাববোৰ মিলা যেন প্ৰতীতি হয়।

উপনিষদত যাগ-যজ্ঞ, তন্ত্ৰ-মন্ত্ৰৰ জঞ্জাল নাই; উপনিষদত পোৱা যায় তত্ত্বকথা আৰু গভীৰ দাৰ্শনিক তথ্যৰ কথা। অৱশ্যে উপনিষদৰ এই তাত্ত্বিক আৰু দাৰ্শনিক তথ্যবোৰৰ মূলত আছে অধ্যাত্ম-সাধনাত পৰিপক্ক দিব্যজ্ঞানৰ অনুভূতি।

উপনিষদৰ গভীৰ দাৰ্শনিক ভাব দেখি পাশ্চাত্য পণ্ডিতসকলে ভাবে যে উপনিষদ হৈছে বেদৰ বিৰুদ্ধে এটি প্ৰতিক্ৰিয়া নাইবা বিদ্ৰোহবিশেষ। ইউৰোপীয় পণ্ডিতসকলে ইতিহাসৰ ধাৰাত এটি বিৰোধৰ খেলা আবিষ্কাৰ কৰিছে আৰু তেওঁলোকে নিজ দেশৰ অতীত ইতিহাসতে এই খেলা প্ৰত্যক্ষ কৰিছে। বিশেষকৈ জাৰ্ম্মান দেশীয় দাৰ্শনিক পণ্ডিত হেগেল (Hegel)ৰ পিছৰ পৰা এই ধাৰণাটো (Dialectic) ইউৰোপত বদ্ধমূল হৈ ক্ৰমে সংস্কাৰত পৰিণত হৈছে। ইউৰোপে নিজ ইতিহাসতে দেখিবলৈ পায় যে যীশুখ্ৰীষ্টৰ খৃষ্টধৰ্ম্ম এটি ৰোমৰ পৌত্তলিকতাৰ বিৰুদ্ধে হোৱা বিদ্ৰোহ; আকৌ তেনেকৈ লুথাৰৰ প্ৰোটেষ্টাণ্ট্ ধৰ্ম্ম হৈছে কেথোলিক ধৰ্ম্মৰ বিৰুদ্ধে উঠা এটি প্ৰতিক্ৰিয়া অথবা

বিদ্ৰোহ। নিজৰ ধৰ্ম্ম-ইতিহাসত এই বিৰোধৰ খেলা দেখি ইউৰোপে ভাৰতৰ ইতিহাসতো তেনে ধৰণৰ এটি বিদ্ৰোহ আবিষ্কাৰ কৰিবলৈ ইচ্ছা কৰে। কিন্তু ভাৰতৰ ইতিহাসত তেনে প্ৰতিবাদমূলক গতিধাৰা থাকিলেও বেদ আৰু উপনিষদৰ মাজত যে তেনে সম্বন্ধ সমূলি নাই তাক উপনিষদৰ অন্তৰঙ্গত প্ৰবেশ কৰিলেই ভালদৰে উপলব্ধি কৰিব পাৰি। ভাৰতৰ ধৰ্ম্ম-ইতিহাস সম্বন্ধে পাশ্চাত্য পণ্ডিতসকলৰ এই ঐতিহাসিক গবেষণা তেনেই ভিত্তিহীন।

প্ৰতিপদে দেখিবলৈ পাওঁ যে উপনিষদে নিজৰ তত্ত্ব-অনুভূতিৰাশি বেদৰ ভাবেৰে সৈতে মিলাবলৈ চেষ্টা কৰিছে। উপনিষদে কোনো এটা সিদ্ধান্ত স্থিৰ কৰিয়েই তাৰ প্ৰমাণৰ নিমিত্তে অনুৰূপ সিদ্ধান্ত বেদৰ পৰা হুবহু উদ্ধৃত কৰিছে। এনেস্থলত উপনিষদক বেদৰ বিৰুদ্ধে বিদ্ৰোহ বুলিব পাৰি নে? আচলতে উপনিষদ অৰ্থে বেদান্ত—বেদৰ অন্ত অৰ্থাৎ পৰিপূৰক—উপনিষদেই বেদৰ পৰিসমাপ্তি। তদুপৰি উপনিষদে স্পষ্টাক্ষৰে কৈ গৈছে "সৰ্ব্বে বেদা যৎ পদমামনন্তি" (কঠোপনিষৎ)। উদাহৰণ স্বৰূপে কব পাৰি যে মুণ্ডক উপনিষদৰ জীৱাত্মা আৰু পৰমাত্মাৰ অথবা প্ৰাকৃত আৰু দিব্যসত্তাৰ কথা-প্ৰসঙ্গত কোৱা "দ্বে-সুপৰ্ণা" ইত্যাদি গোটেই শ্লোকটি ঋগ্বেদীয় ঋষি দীৰ্ঘতমাৰ পৰা হুবহু তুলি দিয়া নহয় নে? ঈশ-উপনিষদে যি শ্লোকটিৰে নিজ বক্তব্য সমাপ্ত কৰিছে ঠিক সেই শ্লোকৰ ভাব আৰু ভাষাৰ সামঞ্জস্য থকা "অগ্নে নয় সুপথা ৰায়ে" (ঋ, ১।৮৯।১) ইত্যাদি মন্ত্ৰৰ দ্বাৰা ঋগ্বেদীয় ঋষি অগস্ত্যই অগ্নিসূক্ত আৰম্ভ কৰিছে। এইদৰে উপনিষদে যে বেদৰ পৰা কিমান মন্ত্ৰ উদ্ধৃত কৰিছে তাৰ ইয়ত্তা নাই। তদুপৰি যিবিলাক ঠাইত হুবহু উদ্ধৃত নাই তাতো যে কিমান ভাবৰ সামঞ্জস্য আছে তাৰ লেখ-জোখ নাই—অনুমান হয় সেইবিলাক ঠাইতো উভয়ৰে প্ৰাণৰ সুৰ, উভয়ৰে অন্তৰাত্মাৰ দৃষ্টি একে। উপনিষদৰ সেই বিখ্যাত উক্তি—

"বেদাহমেতৎ পুৰুষং মহান্তং
আদিত্যবৰ্ণং তমসঃ পৰস্তাৎ"

সকলোৰে পৰিচিত; কিন্তু এই উক্তিও বেদৰে এটি মন্ত্ৰৰ প্ৰতিধ্বনি মাথোন। সেই মন্ত্ৰটিও সকলো সন্ধ্যোপাসকৰে চিৰ-পৰিচিত।—

উদ্বয়ং তমসঃপৰিস্বঃ পশ্যন্ত উত্তৰম্।
দেবং দেবত্ৰাঃ সূৰ্য্যমগন্ম জ্যোতিৰুত্তমম্॥ (ঋ, ১।৫০।১০)

বেদত পোৱা যায় "হৃদি প্ৰতীষ্যা কবয়ো মনীষাঃ" (ঋ, ১০।১২৯।৪) ঠিক তাৰেই প্ৰতিধ্বনিৰূপে উপনিষদে কয় "হৃদি মনীষা মনসাঽভিক্লৃপ্তো" ইত্যাদি। এইদৰে ভাষা আৰু ভাবব্যঞ্জনা-পৰিপূৰ্ণ একে ধৰণৰ শব্দ, একে ধৰণৰ ভাব বেদ আৰু উপনিষদত যে কিমান আছে তাক দেখুৱাবলৈ গলে প্ৰবন্ধৰ অবয়ব অতি বৃহৎ হৈ পৰে; বোধকৰোঁ কৈ শেষ কৰাও অতি সহজ কাম নহয়।

তথাপি কেতবোৰ পাশ্চাত্য পণ্ডিতে ভাবে যে উপনিষদে ঠায়ে ঠায়ে বেদৰ ভাষা হে গ্ৰহণ কৰিছে, ভাব গ্ৰহণ কৰা নাই। তেওঁলোকৰ মতে বেদৰ কথাবোৰ জড়ভাবমূলক। উপনিষদে সেই জড়ভাবতে তাত্ত্বিকতা সুমাই দি বেদৰ জড়ভাবক আধ্যাত্মিক ভাবপৰিপূৰ্ণ কৰি তুলিছে। আমাৰ মতে এই অনুমান ভ্ৰান্ত নাইবা কুসংস্কাৰ-মূলক, উপনিষদৰ ওপৰত ই অযথা নাইবা অমূলক দোষাৰোপ। কিয়নো আচলতে বেদৰ কথা উপনিষদৰ কথাতকৈ কোনোগুণে কম তাত্ত্বিক ভাবব্যঞ্জক নহয়। বেদত যাগযজ্ঞ প্ৰভৃতি কৰ্ম্মকাণ্ডৰ বাহুল্য থকা বাবে সাধাৰণ দৃষ্টিত উপনিষদতকৈ বেদ ভাবহীন বুলি প্ৰতীতি হয় কিন্তু আচলতে বেদ গভীৰ দাৰ্শনিক তথ্যেৰে পৰিপূৰ্ণ আৰু সেই তত্ত্ববোৰ আধ্যাত্মিক অনুভূতিমিশ্ৰিত আৰু আধ্যাত্মিক সাধনাৰ ওপৰত প্ৰতিষ্ঠিত। (১)

উপনিষদৰ কথা দূৰত থাওক বেদৰ প্ৰতি বাক্যতে প্ৰতি মন্ত্ৰতে যি গভীৰ তত্ত্বানুভূতিৰ মূৰ্চ্ছনা দেখিবলৈ পোৱা যায় সি সাধাৰণ বুদ্ধিৰ বোধগম্য নহয়। বেদাৰ্থ

(১) The Vedic Mantras are not so much dogmatic dicta as transcripts from life. They record the spiritual experiences of souls strongly endowed with the sense of reality.—S. Radhakrishnan.

অন্বেষণ কৰিবলৈ যোৱাৰ আগতে দৃষ্টি বাখিব লাগিব বেদৰ তাত্ত্বিক বা আধ্যাত্মিক ধাৰাৰ প্ৰতি। কেৱল চিন্তাবৃত্তিৰ কৌতূহল নিবাৰণ কৰিবলৈ যিসকলে বেদৰ ওচৰ চাপিব, বেদৰহস্য সেইসকলৰ পৰা বহু দূৰতে বৈ যাব। বৈদিক ঋষিসকল আছিল সত্যধৰ্ম্মৰ দ্বাৰা জ্ঞানী। এই সত্যধৰ্ম্ম লাভ কৰিবলৈ যাৰ মনৰ একান্ত আগ্ৰহ নাই, বেদপাঠ তেওঁৰ পক্ষে বিড়ম্বনা মাত্ৰ—"অবসিকেষু বসস্য নিবেদনম্"।

এতিয়া এইটো ভালদৰে দেখা গল যে বেদাৰ্থ বুজিবলৈ হলে উৎকৃষ্ট পন্থা হৈছে উপনিষদৰ ওচৰ চপা নাইবা সকলো সংস্কাৰ বৰ্জ্জিত হৈ মূল বেদমন্ত্ৰলৈ সৈতে সাক্ষাৎ পৰিচয় লাভ কৰা। তেতিয়া হলে বুজিব পাৰি বেদৰ প্ৰকৃত স্বৰূপ কি। টীকাকাৰ, ভাষ্যকাৰ, বৈয়াকৰণিক, আলঙ্কাৰিক প্ৰভৃতি সকলোলৈ মিলি অকল বেদবেই নহয় বেছিভাগ প্ৰাচীন গ্ৰন্থবোৰবো চাৰিওকালে ইমান জাঁজ-জঞ্জাল বঢ়াই তুলিছে যে আমি পথভ্ৰান্ত পথিকৰ দৰে অস্থিৰ হওঁ মাত্ৰ, ভিতৰৰ মন্দিৰত প্ৰবেশ লাভ কৰিব নোৱাৰোঁ। কোনো কাব্যৰ প্ৰকৃত ৰস আস্বাদন কৰিবলৈ হলে আগেয়ে তাৰ মূলগ্ৰন্থলৈ যোৱা উচিত, সমালোচনলৈ নহয়। আধুনিক যুগত প্ৰকৃত কাব্যৰসিকৰ যে ইমান অভাৱ তাৰ কাৰণ হৈছে ইয়াতেই। কালিদাস নাইবা শেক্সপীয়াৰৰ (Shakespeare) মূল কাব্যলৈ সৈতে আমাৰ যিমান পৰিচয় তাতকৈ আমাৰ বেছি পৰিচয় হৈছে কালিদাস অথবা শেক্সপীয়াৰৰ সম্বন্ধে লিখা যিমানবোৰ সমালোচনা আছে তাৰ লগত।

ভদুপৰি বৰ্ত্তমান যুগত দেখিবলৈ পোৱা যায় সায়নাচাৰ্য্যৰ প্ৰাকৃতিক আৰু যান্ত্ৰিক অৰ্থত বাহিৰেও বেদৰ নানা অৰ্থ; তাৰ ভিতৰত কোনটো গ্ৰাহ্য কোনটো অগ্ৰাহ্য তাক নিৰ্ণয় কৰা সাধাৰণ বুদ্ধিৰ কাম নহয়। "নানা মুনিৰ নানা মত"—এই কথাটো বেদৰ ব্যাখ্যা সম্বন্ধে যিমান খাটে বোধ কৰো আন কোনো বিষয়তে তিমান নহয়। আধুনিক সকলৰ ভিতৰত পোৱা যায় অবিনাশচন্দ্ৰ দাসৰ ঐতিহাসিক অৰ্থ (Historical Interpretation); উমেশচন্দ্ৰ বিদ্যাৰত্নৰ ভৌগোলিক অৰ্থ (Geographical Interpretation); লোকমান্য বালগঙ্গাধৰ তিলকৰ জ্যোতিষিক ব্যাখ্যা (Astronomical Interpretation); পৰমশিব আয়াৰৰ বৈজ্ঞানিক অৰ্থ—(Scientific Interpretation); এনেকি নাৰায়ণ ঘোষৰ বাসায়নিক অৰ্থ (Chemical Interpretation) পৰ্য্যন্ত আৰু যে কতজনে কেই প্ৰকাৰৰ ব্যাখ্যা ওলাব তাৰ কি ইয়ত্তা আছে।

ইয়াত বাহিৰে সকলোবে ওপৰত বেদৰ যি আধ্যাত্মিক ব্যাখ্যা আছে সি কেৱল আধুনিক যুগৰ পাশ্চাত্য শিক্ষাৰে শিক্ষিত বক্ষণশীল গোড়াসকলৰ প্ৰয়াস মাত্ৰ নহয়—এই আধ্যাত্মিক ব্যাখ্যা সায়নাচাৰ্য্য আৰু নিৰুক্তকাৰ যাস্কাচাৰ্য্যই তাহানিখনেই উদ্ঘাটন কৰি গৈছে; অৱশ্যে এইটো সচা যে বৰ্ত্তমানেও বহুতে এই ধৰণৰ ব্যাখ্যা দিবলৈ প্ৰয়াস পাইছে, তাৰ ভিতৰত দয়ানন্দ সৰস্বতী, পণ্ডিত দুৰ্গাদাস লাহিড়ী আৰু পণ্ডিত বিজদাস দত্তৰ নাম উল্লেখযোগ্য।

যি হ'ক বেদৰ বহিৰঙ্গৰ অৰ্থাৎ বেদ সম্বন্ধে ব্যাখ্যা, অৰ্থ, তৰ্কবিতৰ্কৰ পৰিচয় দিয়া আমাৰ উদ্দেশ্য নহয়; আমাৰ লক্ষ্য হৈছে বেদৰ অন্তৰাত্মাৰ পৰিচয় দিয়া। ইমানদিনে বেদ কেৱল প্ৰত্নতাত্ত্বিকসকলৰ গবেষণাৰ বিষয় হৈয়েই চলি আছে; কিন্তু বেদৰ যে এটি জীৱন্ত সত্তা আছে যাৰ বলত মানুহে দুহস্তৰ জীৱন লাভ কৰিবলৈ সাধনাৰ প্ৰণালী পাব পাৰে, সেয়েই হৈছে বেদৰ প্ৰকৃত পৰিচয়—বেদৰ প্ৰকৃত স্বৰূপ। অজ্ঞান, দুৰ্ব্বলতা আৰু নিৰানন্দৰ কবল-গ্ৰস্ত মনুষ্য জাতিয়ে চিৰকাল যি সপোন দেখি আহিছে, সকলো বিশৃঙ্খলৰ মাজেদি মানুহে যি মহান আদৰ্শৰ অনুসৰণ কৰি চলি আহিছে, যাৰ দ্বাৰা মই কি কৰিম—মানুহৰ অন্তৰাত্মাৰ এই যে অমৃতস্ব-পিপাসা, তাৰ পূৰ্ণ তৃপ্তি ক'ত, তাৰ পৰিসমাপ্তি যাৰ দ্বাৰা সেই বলৰ দুহৰ আৰাৰ হৈছে বেদ। যাৰ শুদ্ধ অন্তঃকৰণত পৱিত্ৰ ভাবত এই দিব্যতৃষ্ণা জাগি উঠে তেওঁৰেই বেদপাঠ সাৰ্থক।

উত্তৰ ভাৰতত এভুমুকি

—শ্ৰীযুত চিদানন্দ দাস, বি-এ

বহুত দিনৰে পৰা উত্তৰ ভাৰততে এভুমুকি মাৰিবলৈ আমি পাতি থৈছিলো। মোৰা বৰদিনৰ বন্ধুত সেয়ে সকল হোৱাৰ ছেগ মিলাত তাৰেলেকে বুলি সাজি-পাৰি ওলাগো।

অতীত কীৰ্ত্তিত দিল্লী অতি চহকী। কাজেই ই আমাৰ প্ৰথম বাছনিত উঠিল। মহাভাৰতৰ যুগৰে পৰা আজি-লৈকে ই ক্ৰমান্বয়ে হিন্দু, মুছলমান আৰু ইংৰাজৰ ৰাজধানী হৈ আহিছে। সেই কাৰণে ই আকৰ্ষণৰ সামগ্ৰীৰে ভৰপুৰ হোৱাটো অতি স্বাভাৱিক। দিলু নামে এজন প্ৰাচীন ৰজাৰ নামৰ পৰাই ইয়াৰ নাম দিল্লী হোৱা বুলি প্ৰবাদ আছে। ডিছেম্বৰ মাহৰ ২২ তাৰিখে মোৰা দিন ঠিক হল। মোৰ সক ভাই মোৰ সহযাত্ৰী হৈ ওলাল। মোৰাৰ বহু সময়ৰ আগতে বস্তুবাহানি গোটালাগো। যথাসময়ত পঞ্জাব মেইল ধৰিবলৈ হাঁওৱাটৈ যাত্ৰা কৰিলো। চাওঁতে চাওঁতে সময় চমু চাপি আহিল। ঘণ্টাৰ কোবৰ লগে লগে বেৰৰ গা লৰিল। আগবঢ়াবলৈ যোৱা বন্ধুকেজনক ধন্যবাদ দি বিদায় ললো।

তেতিয়া ৰাতি প্ৰায় নটা। জোনৰ পোহৰ পৰাত সকলো দেখা গৈছিল। কিন্তু ঠাণ্ডাই তাক অসম্ভৱ কৰি তুলিলে। খিৰিকি আদি জপাই থৈ বহি ললো। আমাৰ ভিতৰত নানা কথা চলিল। কিন্তু কিছু সময়ৰ পিছত চকুৱে নিদ্ৰাদেৱীৰ আগমনী বাৰ্ত্তা দিয়াত শুই পৰিলো। প্ৰচণ্ডবেগে বেল চলিল, চকু কেতিয়া জাপ গল কব নোৱাৰো। বহু সময়ৰ পিছত বেলৰ বেগ কমা যেন পোৱাত বাহিৰলৈ চালো। দেখিলো বেলিৰ পোহৰৰ জিলিঙনিত সকলো ৰাঙলী হৈ পৰিছে। ফস্কেকতে বেল আছি বক্সাৰৰ প্লেটফৰ্ম্মত থিয় হল। তেতিয়া বিখ্যাত বক্সাৰৰ যুদ্ধলৈ মনত পৰিল।

তৎক্ষণাৎ বেল এৰিলে। বহুদূৰ বাট খকাত জিৰণি লবলৈ যেন অপাবগহে। তেতিয়া খিৰিকিৰে মুখ উলিয়াই বাহিৰৰ দৃশ্য চোৱাত ব্যস্ত হলো। খেতিয়কসকলৰ জুপুৰি ঘৰৰ গুণ, হাল বোৱা আৰু গৰুৰে পানী তুলি পথাৰত পানী যোগোৱা আদি দৃশ্য দেখি ভাল লাগিল।



ভাৰতীয় বায়ুযানক সভাগৃহ

কিছু সময়ৰ পিছত মোগলচৰাই পালোঁহি। ই বেছ ডাঙৰ ষ্টেচন। ইয়াৰপৰা বাৰাণসীলৈ যাব পাৰি। এই ফালে বিশেষ ভাল দৃশ্য চকুত নপৰিল। মাজে মাজে গোম-ধানৰ খেতি আৰু তালৈ পানী নিয়া এঁকাবেঁকা সক সক খাললিবোৰে আমাৰ বিৰক্তি দূৰ কৰিলে। চুনাৰৰ ওচৰত কিছু ওখ ডুঙৰমান পাহাৰ দেখা গল। কিন্তু ওচৰৰ পথাৰবিলাকৰ দৰে সিও অতি পথাৰ। চুনাৰত অতি ওখ খাপৰ মাটিৰ বাচন আদি তৈয়াৰ হয়। কিছু সময়ৰ পিছত এলাহাবাদ পালোহি। ইয়াত ভাল জাতৰ মধুৰি-আম প্ৰচুৰ পৰিমাণে পোৱা যায়। ইয়াৰ কলমবিলাকো বেছ দামী। বাটত সদ্যগ্ৰহাৰ কৰিবলৈ মধুৰি-আম কিছুমান কিনি ললো। ফস্কেকতে এলাহাবাদ দৃষ্টিৰ বহিৰ্ভূত হল।

দুৰন্তৰ গৰ্ব্ব খৰ্ব্ব কৰি বেল চলিবলৈ ধৰিলে। এই পিনেও প্ৰায় একে দৃশ্য। ইয়াত সেউজীয়া পথাৰ আৰু খাল-বিল আদিৰ বিশেষ অভাৱ। আমাৰ দেশৰ দিগন্ত ব্যাপী থকা ধানৰ পথাৰ ইয়াত এটা কল্পনাৰ বিষয়। সি যি নহওক নতুন ঠাই কাৰণে বিশেষ বেয়া নালাগিল। লাহে লাহে বেলি পৰি আহিবলৈ ধৰিলে। দুৰত কল-কাৰখানা আদিৰ চিমনী কিছুমানৰ বিণিকি বিণিকি দুজাই কাননুৰ পাৰ লগীয়া হোৱাৰ আভাস দিলে। ই বিখ্যাত চিপাহী বিদ্ৰোহৰ এটা কেন্দ্ৰ আছিল। কাননুৰ এবাত বেলি প্ৰায় পৰো পৰো হৈছে। ধূলি উকৰাই ঘৰমুৱা হোৱা গৰুছাগলীৰ পালবোৰ দেখি ভাল লাগিল। ক্ষন্তেকতে অন্ধকাৰে সকলো আবৰি ধৰিলেহি। চিমিক-চামাকৈ



ভাৰত গৱৰ্ণমেণ্টৰ চেক্ৰেটৰিয়েট

জ্বলি থকা চাকি কিছুমানে বেল-বাটৰ ছয়ো কাষে থকা গাওঁবিলাকৰ পৰিচয় দিলে।

তেতিয়া ভালেখিনি বাতি হৈছে। কিছু সময়ৰ পিছত নানা বৰণ বিজুলী চাকিৰ আড়ম্বৰ চকুত পৰিল। আলিগড় বিশ্ববিদ্যালয়ৰ সহযাত্ৰী ছাত্ৰ দুজনে তাকেই দিল্লী বুলিলে। মনত বেছ আনন্দ লাগিল। ছবিত দেখা প্ৰাচীন কীৰ্ত্তি মূৰ্ত্তিবোৰ মানস পটত এটা এটাকৈ ভাহি উঠিবলৈ ধৰিলে। ক্ষন্তেকৰ বাবে কল্পনাই বাস্তৱ মূৰ্ত্তি ধাৰণ কৰা যেন লাগিল। প্ৰায় এঘাৰ বজাত গাড়ী প্লেটফৰ্ম্মত থিয় হলহি। কৰ্ত্তব্য শেষ কৰি সি যেন আনন্দৰ হাঁহি এটাহে মাৰিলে। ষ্টেশ্চনত খুব ভিৰ। আমি লাহে লাহে ওচৰতে থকা বয়েল হোটেললৈ বাট ললো।

পিছদিনা ৰাতিপুৱাৰ পৰাই আমাৰ চুবা কথা, সেই বিষয়ে হোটেলৰ মেনেজাৰৰ লগত কথা হলো। তেওঁ



দিল্লীৰ দুৰ্গ

আমাৰ সুবিধাৰ বাবে হোটেলৰ মটৰ ঠিক কৰিলে। কিন্তু অতি বেছি ভাৰাই সুবিধাক অসুবিধাত পৰিণত কৰিলে। আমি টঙ্গা ভাৰালৈ লৈ বাহিৰ হলো। এই গাৰী ইয়াত প্ৰচুৰ আৰু ভাৰাও তেনেই সস্তা। প্ৰথমে দুৰ্গ চাবলৈ মন গল। কিন্তু ই দহ বজালৈ বন্ধ থাকে। সেইদেখি আনফালে বাট লবলৈ বাধ্য হলো।

ওচৰতে থকা জুম্মা মছজিদে প্ৰথমে আমাৰ মনোযোগ আকৰ্ষণ কৰিলে। জোতা সোলকাই সোমাই গলো। অমুছলমানে টিকিট কিনিহে ইয়াৰ ভিতৰলৈ সোমোৱা নিয়ম। কি প্ৰকাণ্ড মছজিদ! আকাৰত ই হিন্দুৰ শ্ৰীক্ষেত্ৰৰ দৰে বৃহৎ বুলি শুনা যায়। ইয়াৰ পকী চোতাল অতি প্ৰকাণ্ড। তাৰ মাজত এটা দুনীয়া উহ। তাজমহলতকৈ চাপৰ হলেও ই দিল্লীৰ আন আন ঘৰতকৈ ওখ। মোগল সম্ৰাট চাহজাহানে এই মছজিদ নিৰ্ম্মাণ কৰে। ই পাঁচ হেজাৰ মানুহৰ ১৪ বহৰৰ খাটনিৰ ফল বুলি কথিত। ইয়াৰ ওপৰৰ পৰা চহৰৰ মনোৰম দৃশ্য দেখা যায়। তিবোতা মানুহক ওপৰলৈ উঠিবলৈ নিদিয়ে। ইয়াৰ ভিতৰত মহম্মদৰ ডাঢ়িও এডাল ৰক্ষিত আছে বুলি শুনা যায়। ইয়াৰ ওচৰতে এটা জৈন-মন্দিৰ।

দুৰ্গ খোলাৰ সময় হোৱাত তালৈ বাট ললো।

ভিতৰলৈ যাবলৈ প্ৰত্যেকে দু-অনীয়া টিকিট কিনিব লাগে। ইয়াৰ ভিতৰতে ৰাজপ্ৰাসাদো অৱস্থিত। ইয়াক চাহজাহান বাদছাহে নিৰ্ম্মাণ কৰে। ইয়াৰ চাৰিওফালে আঠে মাইলমান পৰিধিৰ ওখ বঙ্গা পকী দেৱাল। দুৰ্গৰ



জুম্মা মছজিদ

ভিতৰলৈ পানী নিয়া খাল এতিয়াও দেখা যায়। ওচৰেদি যমুনা নৈ বৈ গৈ ইয়াৰ সৌন্দৰ্য্য বঢ়াইছে। ৰাজপ্ৰাসাদ ঘাইকৈ বগা মাৰ্ব্বলেৰে সজা। ঘৰৰ বেৰ আৰু খুটা আদিত নানা বৰণ মূল্যৱান পাথৰেৰে নক্সা কটা। কোনো কোনো ঠাই দুৰবপৰা ধুনীয়া ফুলবছা কাপোৰ যেন দেখি। তাতেই ওচৰা-উচৰিকৈ অন্দৰমহল আৰু দেৱানী খাচ। এই দুটাকেই ৰাজপ্ৰাসাদৰ গৌৰৱ বুলিব পাৰি।

দেৱানী খাচ বাদছাহৰ প্ৰকাশ্য দৰবাৰ বহা ঠাই। আগেয়ে বিখ্যাত ময়ুৰ সিংহাসন ইয়াতেই জলি আছিল। পিছত নাদিৰছাহে ইয়াক লুটি লৈ যায়। এতিয়া তাৰ শূন্য বেদী পৰি আছে। দেৱানী খাচ নিৰ্ম্মাণৰ শেষত চাহজাহানে সেইখনকে মৰতৰ স্বৰ্গ বুলি ঘোষণা কৰে। অৱশ্যে তাৰ আনন্দকাৰী সৌন্দৰ্য্যই ইয়াৰ কাৰণ। 'If there is a heaven on earth, it is this, it is this, it is this.' বোলা বেৰত লিখা কথাফাঁকিয়ে এতিয়াও তাৰ সাক্ষী দিয়ে। ইয়াৰ ওচৰতে অন্দৰমহলৰ খোঁটালী। দুয়ো ঘৰৰ মাজত এখন মাৰ্ব্বলৰ পৰ্দ্দা। ইয়াৰ নানা কাৰুকাৰ্য্য দেখি মনতে কাৰিকৰসকললৈ শ্ৰদ্ধাঞ্জলি দিলো। ইয়াৰ ওপৰ ভাগত ন্যায়ৰ জোখকাঠাৰ (scale of justice) সুন্দৰ ছবি। ওচৰা-উচৰিকৈ বেলেগ বেলেগ



মতি মছজিদ আৰু ১ম আৰু ২য় জাহ আলমৰ সমাধি-মন্দিৰ

আৰু কামান-বন্দুক আদি সংৰক্ষিত হৈছে। ইয়াৰ লগতে লগা এটা লাইব্ৰেৰী। তাত আগৰ ইংৰাজ শাসনকৰ্ত্তাসকলৰ চিঠি আৰু যুদ্ধৰ কিতাপেই বেছি। তেতিয়া বেলি উঠি আহিছে। দুৰ্গও প্ৰায় চোৱা হল। ইয়াৰ এভাগ ইংৰাজ সৈন্যৰ কুহী। তালৈ প্ৰৱেশ নিষেধ। দুৰ্গৰ ভিতৰতেই সকলো ধৰণৰ দোকান-পোহাৰ আছে।

প্ৰায় বাৰ বজাত দুৰ্গৰ পৰা বাহিৰ হলো। ইয়াৰ পিছত মাটিৰ ওখ ভেটিৰ ওপৰত সজা চিপাহী-বিদ্ৰোহৰ

স্মৃতিসৌধ চাবলৈ গলো। তাত লিখা অসংখ্য নামে বিদ্রোহৰ আকাৰৰ আভাস দিয়া যেন লাগে। ইয়াৰ ওচৰতেই কাশ্মীৰ-গেট। তাৰ পৰা কোটলালৈ বাট ললো। ই এটা দুৰ্গ। ইয়াৰ পৰিধি প্ৰায় আঢ়ৈমাইল। চাৰিওফালে মাজে মাজে ভগা ওখ দেৱাল। মহম্মদ ঘোৰীৰ আক্ৰমণৰ সময়ত এই দুৰ্গতেই ৰজাই আশ্ৰয় লৈছিল। তেতিয়া বেলি ঠিক মূৰৰ ওপৰত। আমাৰ ভোক লগাত আনফালে নগৈ হোটেললৈ পোনালো। হোটেল পোৱাত প্ৰায় এক বাজিল।

বেগাবেগিকৈ খোৱা-বোৱা শেষ কৰিলো। আমাৰ সময় কম। চাবলৈও বহুত বাকী। টঙ্গা এখন ভাৰা



কুতুব মিনাৰ

কৰি লৈ প্ৰায় আঠ বজাত বাহিৰ হলো। কিছু সময়ৰ পিছতেই নতুন দিল্লীত উপস্থিত হলোগৈ। প্ৰথমে 'জন্তৰ-মন্তৰ' বা অবজাৰভেটৰীৰ ওচৰত থামিলো। ই এটা গ্ৰহনক্ষত্ৰাদিৰ গতি-বিধি লক্ষ্য কৰা যন্ত্ৰ। ইয়াক জয়সিংহ নামে জয়পুৰৰ ৰজাই সাজে। ই এতিয়া ভাল অৱস্থাত আছে। মাজে মাজে দুটা এটা ৰেখা উঠি গৈছে। আমি বিশেষ ভু নোপোৱাত আচৰিত যেন লাগিল। তাৰ পিছত ভাৰতীয় ব্যৱস্থাপক সভাগৃহ পালোগৈ। বিনহুকুমে ইয়াৰ ভিতৰত সোমোৱা নিয়ম নাই। ইয়াত কাউন্সিল অফ্ ষ্টেট আৰু ৰজাসকলৰ সভাও বহে। ইয়াৰ কিছু দূৰত ভাৰত গৱৰ্ণমেণ্টৰ দুটা প্ৰকাণ্ড অফিচ ঘৰ। বহল ৰাস্তাটো মাজেদি গৈ ইহঁতৰ শোভা বঢ়াইছে। ইয়াৰ এটাত সোমাই চাবলৈ সুযোগ পালো। ক্ষন্তেকতে লাট চাহাবৰ বঙ্গলা চাবলৈ আগুৱাই আহিলো। লাট চাহাব তাত নোহোৱাত পালি-পহৰীয়াৰ বিশেষ আড়ম্বৰ নেদেখিলো। প্ৰকাণ্ড ঘৰ। বহল কম্পাউণ্ডৰ মাজত থকাত ধুনীয়া দেখা গৈছে। চাৰিওফালে লোহাৰ ওখ বেৰ। আগৰ ধুনীয়া বাগিছাই ইয়াৰ শ্ৰীবৃদ্ধি কৰিছে। ইয়াত বাহিৰেও তাত থাকিবলৈ দেশীয় ৰজা কেইজনমানে ভাল ভাল ঘৰ সাজি থৈছে। নতুন দিল্লী সম্পূৰ্ণ হবলৈ এতিয়াও বহুত বাকী। ইয়াৰ নিৰ্ম্মাণ কাৰ্য্যৰ ওপৰত চৰকাৰৰ বৰ্ত্তমান অৰ্থসঙ্কটৰ ছাঁ পৰা যেন লাগে। নিৰ্ম্মাণ কাৰ্য্য শেষ হলে ই এখন সুন্দৰ চহৰ হবগৈ।

তাৰ পৰা পুৰণি কিল্লা পালোহি। পঞ্চদশ শতাব্দিত হুমায়ুন আৰু শ্বেৰচাহে ইয়াক নিৰ্ম্মাণ কৰে। ই পাণ্ডৱসকলৰ ৰাজধানী ইন্দ্ৰপ্ৰস্থত অৱস্থিত। ধৃতৰাষ্ট্ৰে পাণ্ডৱসকলক দান কৰা ঠাইবিলাক ইয়াৰ ওচৰতেই বুলি কথিত। ইয়াৰ বৰ্ত্তমান অৱস্থা শোচনীয়। ওখ পকী দেৱালে ইয়াৰ চাৰিওফালে ঘেৰি আছে। চাৰিখন ওখ গেটেৰে ভিতৰলৈ সোমাব পাৰি। ই যমুনাৰ লগত সংলগ্ন। ইয়াৰ ভিতৰৰ সেউজীয়া পথাৰ ভালকৈ ৰখা হৈছে। ভিতৰত থকা মছজিদ বিশেষকৈ চাব লগীয়া। ইয়াৰ প্ৰায় দুমাইলমান দূৰত হুমায়ুন বাদচাহৰ সমাধি। ইয়াৰ আকাৰ বৃহৎ। প্ৰায় ১৫ লক্ষ টকা খৰচ কৰি সজা হয়। ইয়াত হুমায়ুনৰ প্ৰিয়পত্নী হামিদাবানু আৰু দাবাৰ কবৰ আছে। কম্পাউণ্ডৰ ভিতৰত সুন্দৰ বাগিছা। চাৰিওফালে ওখ দেৱাল। দেৱালৰ ওপৰত সৰু-বৰ নানা ৰঙৰ স্তম্ভ।

ইয়াৰ পিছত কুতুব-মিনাৰলৈ আহিলো। ই এটা চাব লগীয়া বস্তু। ই যেন আকাশক চুমা খাবলৈহে থিয় হৈ আছে। এই প্ৰকাণ্ড মিনাৰ ৰঙা শিলেৰে তৈয়াৰী। ইয়াক চোৱা উপযুক্ত সময় আবেলি। কিয়নো পশ্চিম

আকাশত বুৰ মাৰো মাৰো বেলিৰ পোহৰত ইয়াৰ দৃশ্য অতি মনোৰম হৈ উঠে। ই পাঁচোটা ভাগত বিভক্ত। ওপৰৰ পৰিধি কমাৰ লগে লগে ইহঁতৰ দূৰত্বও কমি গৈছে। ওপৰৰ দুভাগ বগা মাৰ্ব্বলেৰে তৈয়াৰী। ইয়াৰ নিৰ্ম্মাণ পণ্ডিতসকলৰ এটা আলোচ্য বিষয় হৈ উঠে। বহুতে ইয়াত হিন্দু-মুছলমান নিৰ্ম্মাণ কাৰ্য্যৰ সংমিশ্ৰণ থকা বুলি মত প্ৰকাশ কৰে। কিন্তু চলিত মতে দ্বাদশ শতাব্দিৰ কুতুবুদ্দিনকেই ইয়াৰ নিৰ্ম্মাতা বুলি কয়। অৱশ্যে পিছৰ ৰজাসকলৰ লগতো ইয়াৰ সম্বন্ধ নথকা নহয়। ফিৰোজ টোগলকে ইয়াক মেৰামত কৰা কথা শুনা যায়। ই প্ৰায় ২৩৮ ফুট ওখ। সেই অনুযায়ী পৰিধি হোৱাত ইয়াৰ আকাৰো বৃহৎ হৈ পৰিছে। প্ৰায় চাৰিশ ঠাক খাপ বগাই ওপৰলৈ যাব লাগে। ওপৰৰপৰা ধ্বংসাৱশেষেৰে ভৰা ওচৰ-চুবুৰীয়া ঠাইৰ আৰু ৰঙচুৱা পশ্চিম আকাশৰ চকু



চফদাৰ জঙ্গৰ সমাধি-মন্দিৰ

থিৰ হোৱা দৃশ্য দেখা যায়। ইয়াৰ গাত ফাৰ্চী ভাষাতো কিবাকিবি লিখা আছে। যমুনা নদীক ওপৰৰপৰা বেঁকা-বেঁকিকৈ পৰি থকা বগা কাপোৰ যেন দেখি।

ইয়াৰপৰা দিল্লীলৈ যোৱা ঘাই বাট হজখাছ আৰু নবাব চাফদাৰ জঙ্গৰ সমাধিৰ ওচৰেদি গৈছে। তেতিয়া বেলি পশ্চিম আকাশত বুৰ মাৰিবলৈ অলপ বাকী। আমি সেই বাটেদি আগবাঢ়িবলৈ ধৰিলো। সন্ধিয়াৰ বতাহে আমাৰ আৰু ঘোৰাৰ গলধনৰ চুলি নচুৱাব ধৰিলে। অলপ পিছতে হজখাছ পালোহি। ই এটা প্ৰকাণ্ড পুখুৰী। আলাউদ্দিন খিলিজীয়ে ইয়াক খনাইছিল। ই এতিয়া ধ্বংসাৱস্থাত। বৰ্ত্তমান ইয়াৰ বহল বুকু ধানতলীত পৰিণত হৈছে। ইয়াৰ কাষতেই ফিৰোজ চাহ টোগলকৰ সমাধি। ভিতৰত নাচিৰ উদ্দিন আৰু চেকেণ্ডৰ লোডী আদিৰ কবৰ আছে।



হজখাছ

এইবিলাক চাই-চিঁতি নবাব চাফদাৰ জঙ্গৰ সমাধিলৈ আহিলো। মনচুৰ আলি খাঁ নামে আহম্মদ চাৰ এজন উজীৰ আছিল। চাফদাৰ জঙ্গ তেওঁৰেই উপাধি। তেওঁৰ পুতেক চুজা উদ্দৌল্লাই এই সমাধি নিৰ্ম্মাণ কৰে। ই হুমায়ুনৰ সমাধিতকৈ সৰু হলেও সৌন্দৰ্য্য আৰু কাৰুকাৰ্য্যত অকণো পিছ-পৰা নহয়। অন্ধকাৰে সকলো ঢাকি পেলোৱাত দৃশ্য চোৱা অসম্ভৱ হল। সেইবাবে ঘৰমুৱা হবলৈ বাধ্য হলো। হোটেল পোৱাত ৰাতি হল।

দিল্লী চোৱা প্ৰায় শেষ হল। পিছদিনা ৰাতিপুৱা মীৰাটলৈ যাত্ৰা কৰিলো। ই দিল্লীৰপৰা ৪২ মাইল দূৰত। ইয়ালৈ অহাযোৱা কৰা মটৰ চাৰ্ভিচ আছে। বাট ভালকৈ পকী কৰা। বাটত কিছুমান আমৰ বাগান দেখা পালো। আমি ফয়জাবাদ আৰু বেগমাবাদ নামে দুখন ডাঙৰ ঠাইৰ মাজেদি পাৰ হলো। বাটতে গঙ্গাৰ বৃহৎ 'কেনেলো' পাৰ হব লাগে। প্ৰায় এঘাৰ বজাত মীৰাট পালোগৈ। ইয়াৰ নগৰ আৰু কেণ্টন্‌মেণ্ট নামে দুটা বিভাগ। টঙ্গা এখনেৰে নগৰৰ মাজেদি গৈ আছো। হঠাৎ স্কুলৰ সহাপাঠী বন্ধু এজনৰ লগত দেখা হল। এই অচিনাকী ৰাজ্যত চিনি পোৱা মুখখনি মৰুভূমিৰ মাজৰ ৰেচিচ যেন লাগিল। তেওঁৰ অনুৰোধত তেওঁৰ ঘৰলৈ গৈ

খোৱা-বোৱা কৰিলো। ইয়াত বিশেষ চাব লগীয়া একো নাই। চিপাহী-বিদ্রোহৰ সময়ৰ নানা স্মৃতিসৌধ সকলো পিনে সিঁচৰিত হৈ আছে ই বাৰণৰ শহুৰেকৰ বাজ্য বুলি ইয়াত এটা প্রবাদ চলিত আছে।



কুতুব-মন্তব

মীৰাটৰপৰা ঘুৰি আহি দিল্লী পোৱাত প্রায় পাঁচ বাজিল। আবেলিৰ জলপানৰ পিছত নগৰ ভ্রমিবলৈ ওলালো। ইয়াৰ ঘাই বস্তুবোৰ নাম চান্দনী চ'ক। ইয়াৰ দীতি-কাষৰ ঠাইখিনি ইতিহাসপ্রসিদ্ধ। টাইমুৰ আক নাদিৰ চাহ আক্রমণত তাত অনেক নৰহত্যা হয় বুলি প্রবাদ আছে। ইয়াৰ বাস্তাৰ মাজত প্রকাণ্ড ঘৰীঘৰ। ই নগৰৰ সময়নিয়ামক। সেইদিনা আমাৰ দিল্লী এৰা দিন। সকলোখিনি ভালকৈ চাওঁ বুলিলে ইয়াত কেইবাদিনো কটাব পাৰি। সেই কাৰণে হোটেললৈ আহি সাজু হলো। যথাসময়ত দিল্লী এক্সপ্রেচ ধৰি আগ্রালৈ বুলি ওলালো। অতীতৰ শত সাম্রাজ্যৰ উঠন-পতনৰ থলী ভাৰতৰ গৌৰৱ-মুকুট দিল্লীক এবাৰ আগতে এবাৰ বিমান পাৰো, চাই ললো। বেলত উঠি বহুত পৰ বাদচাহী আমোলৰ দিল্লীৰ ছবি আঁকি চালো। সেই বাদচাহৰ আমোল, মোগলহেৰেমৰ, প্রমোদবিলাস আজি ক'ত? দিল্লীৰ মুছলমান বজাসকলৰ কবৰবোৰলৈ মনত পৰিল, মোগলৰ সকলো সভ্যতা যেন সমাধিতে লুকাই আছে। এইদৰে ভাবি থাকোতেই দেখিলো বেলে প্রচণ্ড বেগেৰে যাব লাগিছে। তাৰ আগত অতীতৰ ঠাই নাই, ভবিষ্যতৰো গতি নাই। বৰ্ত্তমানৰ বিষয়ে সজাগ কৰি সি আগোনাৰ অবিৰাম গতিত যাবলৈ ধৰিলে। লগে লগে আগ্রা দৰ্শনৰ ব্যগ্রতাই আমাকো লগ ললে।—(ক্রমশঃ)

গীত

কথা আক সুৰ—শ্রীযুত মোহনলাল চৌধুৰী
সুৰ-চানেকি—শ্রীমতী বিষ্ণুপ্রিয়া বাভা ঠাকুৰীয়া

পথিলাবে শাৰী উৰে।
অ' সখি দেখিলোঁ দেখিলোঁ বে।
চৌভিত্তি মুকুতা সবি সবি পবি
ভুবন ধুনীয়া কবে
আজি কি সুৰাগী চবে
দেখিলোঁ দেখিলোঁ দেখিলোঁ বে॥

ফাগুনৰ দোলাথন ফুলেবে সজোৱা অ'
তাতে কোকিলবে বাব;
সখি মলয় পৱনৰ বাব,
উটি যা মলয়া
উটি যা উটি যা অ'
ফাগুনৰ ধুলনিৰ দোলনি চাওঁ॥

দাদ্‌ৰা



নববর্ষ

কবিতা— —শ্রীযুত যোগেন্দ্র নাথ বৰদলৈ

নব বসন্তৰ পুৰ ছৱাৰত
পাতিলে কোনে নো সোণৰ তোৰণ;
কোন অতিথি আহিব নো আজি
কোনে নো আদৰি কৰিব বৰণ?

আৰতিৰ ধ্বনি দশোদিশ ভাহি
বিহগী কণ্ঠৰ মাধুৰী তান,
কিয়নো উঠিছে আকাশে বতাহে
খোকিবাখোকি কিয়নো প্ৰাণ?

হিয়া-তলি ভেদি উঠে সুৰ বাজি
হিয়াত উলাহ কিয়নো ভৰা?
নতুন প্ৰাণৰ নতুন ভাবত
কিয়নো মন বলিয়া কৰা?

অতীতৰ কথা পাহৰিলে সৱে
নতুনক আজি আদৰি লৈ;
প্ৰকৃতিৰ আজি নতুন উছৱ
সমীৰণে দিলে কাণতে কৈ।

বলা তেনে সখা প্ৰাণ প্ৰিয়তম
মিলন-গান উলাহে গাওঁ,
নতুন দিনৰ নব সূচনাত
বাঞ্জলী ওঠত চুমাটি খাওঁ।

অতীতৰ কথা নাভাবিবা তুমি
পুৰণি দিনৰ নকবা কথা;
নব ববষৰ প্ৰথম পুৱাত
নিদিবা সখা প্ৰাণত ব্যথা।

খাম্বা-থোইবীৰ সাধুকথা

(আগৰ সংখ্যাৰ পিছৰপৰা)

উপন্যাস— —শ্ৰীযুত ৰজনীকান্ত বৰদলৈ, বি-এ

প্ৰিয়তমা থোইবী আইদেৱৰ পৰা এই বাতৰি পাই খাম্বাই এটা খাং লৈ উৎকৃষ্ট উপাদেয় ফল-মূল গোটাবৰ অৰ্থে কাৰুইশালাং মাইবাৰ গাৱঁলৈ গল। আৰু সেই গাৱঁত অনেক ফুল-ফল ফুলিব ধৰোঁতেই কাৰুই নগাবিলাকে তেওঁক খাঙে-বহিয়ে সমৰিতে ধৰি মাইবাৰ ঘৰলৈ লৈ গল। তাত মাইবাৰ সমুখত খাম্বাক উপস্থিত কৰাত খাম্বাই হাত যোৰ কৰি কলে—"মই মোৰ পিতৃবন্ধু শালাং মাইবাৰ ওচৰলৈ আশ্ৰয় বিচাৰি আহিছিলোঁ। পিছত তোমাৰ এই প্ৰস্তাবিলাকে কি কাৰণত মোক ধৰিলে মই কব নোৱাৰোঁ।" এই কথাত শালাং মাইবাই খাম্বাক নানাবিধ প্ৰশ্ন কৰি জানিলে যে খাম্বা দৱাচলতে তেওঁৰ মৃত বন্ধুৰহে পুত্ৰ। তেতিয়া মাইবাজনে নানা তৰহৰ ফল-মূল গোটাই আনিবলৈ তেওঁৰ মানুহক পাচিলে। মানুহ-বিলাকক ফল-মূল গোটাবলৈ পঠাই উঠি মাইবাই খাম্বাক ভাত-পানী, জা-জলপান খুৱাই খাম্বাৰ লগত খাম্বাৰ নিজৰ আৰু পিতৃৰ বিষয়ে নানা কথা-বতৰা পাতি শেষত খাম্বাক লগত লৈ গৈ এডোখৰ ঠাই দেখুৱাই কলে, সেই ঠাইতে খাম্বাৰ পিতৃয়ে কাৰুইবিলাকৰ লগত যুঁজি মহা বিক্ৰম দেখুৱাইছিল।

ইয়াৰ পিছত মাইবাৰ মানুহবিলাকে চাবিটা পাচিত ভৰপুৰকৈ নানা তৰহৰ ফল-মূল আনি মাইবাৰ আগত দিলে। মাইবাই সেই ফল-মূলবিলাক দুটা ভাৰী লগত দি খাম্বাৰ ঘৰলৈ পঠিয়াই দিলে। খাম্বাই সেই ফল-মূলবিলাক থোইবীৰ কাৰণে বুলি কৈ ভনীয়েকৰ মাৰফতে ৰঙাঘৰলৈ পঠিয়াই দিলে।

ইফালে যুৱৰাজৰ কথা শুনি কোংয়েম্বাই উলাহৰ বান্ধলী হৈ ৰঙাৰবণৰা কেতবিনি ফলমূল কিনি আনি যুৱৰাজৰ ঘৰলৈ পঠিয়াই দিছিল। কিন্তু ফলমূল পঠিয়াৱৰ দিনা থোইবী আইদেৱৰ মনৰ দুখতে পাটাত পৰি থকাৰ কাৰণে যুৱৰাজে নিজ ইচ্ছাত ফলমূল গ্ৰহণ কৰিব নোৱাৰিলে। কিয়নো, দৰা বা কইনাৰ কোনো এজনৰ শৰীৰ অসুস্থ থাকিলে ইগৰাকীয়ে সিগৰাকীৰ উপহাৰ সেই দণ্ডৱমতে লব নোৱাৰে। সেই কাৰণে থাংজিং দেৱতাৰ কৃপাতে দৈবাৎ থোইবীৰ অসুখ হোৱাৰ কাৰণে কোংয়েম্বাৰ মনোৰথ পূৰ্ণ নহ'ল। যুৱৰাজৰ ঘৰলৈ নিয়া ফলমূল ওভতাই নিব লগীয়া হল। ইয়াৰ পিছত যিদিনা খাম্বাই ৰঙাঘৰলৈ ফলমূল দি পঠিয়ালে সেইদিনা যুৱৰাজে যেমাৰত পৰি শয্যাত মূৰ্চ্ছাগত হৈ পৰি থকাৰ কাৰণে থোইবীলৈ পঠোৱা ফলমূল নোৱাত ৰঙালৈ বা ৰাণীলৈ কোনো ওজৰ-আপত্তি কৰিব নোৱাৰিলে। ৰাণীয়ে নিৰ্দ্দিয়ে সমস্ত ফলমূল লৈ সেই ফলমূলবিলাক এঘাৰখন কাঁহীত সজোৱাই থোৱালে। পিছদিনা যুৱৰাজে আকৌ কাৰৱ খেল কৰিবলৈ যোৱা সময়ত থোইবীৰ সখীয়েক চেংৰে যুৱৰাজৰ ঘৰটোৰ বাৰান্দাটো অতি সুন্দৰকৈ সাৰি-পুছি, কঠ, ঢাবি, বনাত পাৰিলে। থথাসময়ত ৰঙাৰ ৰাণীসকল, যুৱৰাজৰ পত্নীসকল আৰু আন আন তিৰোতা মানুহসকল আহি বহিলত খাম্বাৰ ভনীয়েক ঘুমুৰে ৰঙাঘৰত সজাই থোৱা ফল-মূলৰ সেই এঘাৰখন থাল আনি আগত থলে। থোইবী আইদেৱে ফলমূলবিলাক "গ্ৰহণ কৰিলোঁ" বুলি সম্মতি জনালত মণিপুৰ দেশৰ সেই কালৰ দস্তৱমতে বিয়াৰ জোৰণ দিয়া হৈ গল। কেৱল আচল বিয়াটোহে বাকী বল।

কাৰৱ খেল খেলি ঘৰলৈ উলটি আহি যুৱৰাজে ৰবকৈ পিন্ধাহ লাগিছে বুলি কোৱাত থোইবীয়ে সেইবিলাক ফলৰে কেটামানৰ ৰস চেপি চৰবত কৰি পিৰলৈ দিলে। যুৱৰাজে

সেই ৰস বৰ সুমিষ্ট পাই ফল ক'ৰ পৰা পালে বুলি সোধাত থোইবীয়ে আচল কথাটো কোৱা মাত্রেই যুৱৰাজে খঙতে একো নাইকিয়া হৈ সেই ৰস দিয়া বাটিটো থোইবীৰ গালৈ মাৰি পঠিয়ালে। সেই বাটিটো কোবেৰে থোইবীৰ গলধনত পৰাত বেচেৰী মুছকঁছ গল। মাক আৰু আন আনসকলেও হায়ৌ-বিয়ৌ কৰি কান্দিব ধৰিলে। তেতিয়া বাপেক যুৱৰাজে থোইবীক কলে—"বাছা থোইবী উঠ! বাৰু, তই তোৰ ভবিষ্যতৰ গিৰীয়েৰৰ ঘৰলৈ যাবলৈ পাবি।" বাপেকৰ এই কথাত থোইবীয়ে খাম্বালৈ যাব পাৰিব বুলি বুজি উঠিল। কিন্তু যুৱৰাজে ইয়াৰ পিছতে খাম্বাক মতাৰ লগে লগে কোংয়েম্বালৈকো সাজু হৈ আহিবলৈ মনে মনে খবৰ পঠিয়ালে। থোইবীয়ে বাপেকৰ দোধৰীয়া চাতুৰি কথা বুজিব নোৱাৰিলে। গধূলি বেলিকা এইদৰে পিছদিনা তেওঁৰ ঘৰলৈ আহিবলৈ খাম্বা আৰু কোংয়েম্বাক মাতি পঠাই পিছদিনা পুৱাই যুৱৰাজে হাতী এটাত উঠি পহু চিকাৰ কৰিবলৈ গল। সিফালে তেওঁ চিকাৰত থাকোঁতেই দুপৰীয়া খাই-বই উঠি খাম্বা আৰু কোংয়েম্বা দুয়ো যুৱৰাজৰ ঘৰলৈ আহোঁতে বাটতে দুইৰো দেখাদেখি হোৱাত কোংয়েম্বাই খাম্বাক কলে—"হেৰ নিছলা! টোকোনা! তই আকৌ সাহ কৰিছ থোইবীক বিয়া কৰাবলৈ! তই যদি নিজৰ ভাল চাৱ থোইবীক পাবলৈ আশা এৰ। থোইবীক মই বিয়া কৰাম। বাপেকে মোলৈহে তাইক দিব।" খাম্বাই কলে, "মই প্ৰাণ গলেও থোইবীক নেৰো। ৰজাই মোকহে থোইবীক দিব আৰু থোইবীয়েও সতিনী খাটিবলৈ তোৰ নিচিনা এটা বুঢ়াত কেতিয়াও বিয়া নোসোমায়।"

খাম্বাই এইদৰে কোৱাত উভয়ৰে প্ৰথমতে গালাগালি দন্দ লাগিল; পিছত গৈ উভয়ৰে হাতাহাতি লগাত খাম্বাই কোংয়েম্বাক বগৰাই লৈ তাৰ বুকত উঠি তাক পাৰেমানে কিলাব ধৰোঁতে কোংয়েম্বাৰ লগত অহা কেজনে খাম্বাক ধৰি পাৰেমানে মাৰিলে। এইদৰে কিলোৱাকিলি হৈ থাকোঁতে সিফালৰপৰা যুৱৰাজে হাতীৰ ওপৰত চিকাৰ কৰি উলটি সেই ঠাই পাই এই কিলাকিলিখন দেখি তেওঁ হুকুম দি খাম্বাক আকৌ মৰোৱালে আৰু তাৰ পিছত খাম্বাক নিজৰ হাতীটোৰ ভৰি এখনত ৰচিৰে বন্ধাই মাউতক হাতীটো চলাই দিবলৈ কলে যাতে হাতীৰ ভৰিৰ আৰু ৰচিৰ চেপাত খাম্বাই সিপুৰী পায়গৈ। মাউতে হাতীটোক চলিবলৈ ভৰিৰে ইঙ্গিত কৰেহে কৰে, হাতীটো কিন্তু নচলিল। কিয়নো, থাংজিং দেৱতাৰ খাম্বাৰ ওপৰত অনুগ্ৰহ আছিল; সেই কাৰণে থাংজিং দেৱতাৰ ইচ্ছা নাছিল যে খাম্বা এইদৰে মৰে। থাংজিং দেৱতাৰ কৃপাত খাম্বাক বন্ধা ৰচিডাল সোলোকলেকীয়া হল। হাতীটো নচলা দেখি কূটবুদ্ধিৰ কোংয়েম্বাই এডাল দীঘল মাৰিৰে হাতীটোক পাছফালৰ পৰা খুচিব ধৰিলে। খোচনিত তত নাপাই যদিও হাতীটো চলিল, তথাপি বান্ধ ঢিলা হোৱাৰ বাবে খাম্বাই হাতীৰ খোজত দুখ নাপালে। এইদৰে কিছু দূৰ আহোঁতে ৰজাঘৰীয়া কেতবিলাক মানুহে খাম্বাক সেই দৰে হাতীৰ ভৰিত বান্ধি অনা দেখি, "মানুহটো মৰিল ঐ! মানুহটো মৰিল ঐ!" বুলি চিঞৰি-বাখৰি হাতীটো ৰখাই খাম্বাক হাতীৰ ভৰিৰপৰা সোলোকাই দিলে। হাতী চলি গল। খাম্বা মাটিত অচেতন হৈ পৰিল। ৰজাঘৰীয়া চাৰিজন মানুহে খাম্বাক ৰখি থাকিল। এজনে গৈ থোইবীক, আনজনে গৈ খুম্নুক আৰু এজনে গৈ ফিৰোই-জম্বাক, আৰু এজনে গৈ ৰজাক খবৰ দিলে। খাম্বাৰ এই দুৰ্দ্দশাৰ কথা শুনি আউলী-বাউলী হৈ থোইবীয়ে প্ৰথমতে সেই ঠাই পাই খাম্বাৰ গাৰ বান্ধ-ছাটবিলাক কাটি দি খাম্বাক পতি কৰাত খাম্বাই চেতন পালে। এনেতে খুম্নুও আহি পাই ভায়েকৰ তেনেকুৱা অৱস্থা দেখি কান্দিব ধৰিলে। অলপ পিছতে ফিৰোইজম্বাও আহি সেই ঠাই পালে। সকলোৱে ধৰাধৰি কৰি খাম্বাক ঘৰলৈ নিলে। তাত খুম্নু, থোইবী দুয়োজনে খাম্বাৰ সেৱা-শুশ্ৰূষাত লাগি গল।

ফিৰোইজম্বাই গৈ এই কথা বাপেক নোংথোলবাক কলে। নোংথোলবাই ফিৰোইজম্বাক এই কথা চিৰাপত (বিচাৰকত) গোচৰ দিবলৈ আদেশ দিয়াত ফিৰোই-জম্বাই গৈ বিচাৰকত জনালে। বিচাৰকে যুৱৰাজক মতাই নি সুধিলত যুৱৰাজে কলে—"হয়, মই খাম্বাক মৰাইছোঁও আৰু হাতীৰ ভৰিত বান্ধি তাক প্ৰাণেও মাৰিব বিচাৰিছিলোঁ। কিন্তু কি ভাগ্যত যে সি জীয়াই

ৰল কৰ নোৱাৰোঁ।"। যুৱৰাজৰ এই উত্তৰ শুনি চিৰাপ মনে মনে ৰল—কিন্তু ৰাজমন্ত্ৰী নোংথোলবাই যুৱৰাজৰ এই অত্যাচাৰটোৰ বিষয়ে গৈ ৰজাত জনালে। ৰজাই ইতি-পূৰ্ব্বেই থোইবীৰ পৰা সকলো কথা শুনি থৈছিল; পিছত নোংথোলবাই এই কথা জনাই যুৱৰাজক মতাই আনিব লাগে বুলি উপদেশ দিয়াত ৰজাই কলে—"মই সদ্যহতে তাক মাতি আনি দণ্ড বিহিলে সি হয় তো মোৰ শত্ৰু আঙ্গাম নগাবিলাকে সৈতে লগ লাগি মোক ৰাজ্যচ্যুত কৰিবলৈকে বিচাৰিব। বোধ কৰোঁ সি তলে তলে কোংয়েম্বাই সৈতে লগ লাগি মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ পাতিছেই। নহলে সি খাম্বাৰ নিচিনা এটা মোৰ ফলীয়া বাহুবলী বীৰক এইদৰে হত্যা কৰিবলৈ নিবিচাৰিলেহেঁতেন। মই প্ৰতিজ্ঞা কৰা কথাও জানি-শুনি সি মোৰ প্ৰতিজ্ঞাৰ বিৰুদ্ধে এইদৰে নচলিলহেঁতেন। বাৰু সময়মতে মই যি কৰিব লাগে ছেগ বুজি কৰিম। এতিয়া খাম্বাক আগেয়ে চিকিৎসা কৰোৱাই ভাল কৰা যাওক।" এই বুলি কৈ মন্ত্ৰীক বুজাই নিজৰ ৰাজবৈদ্যজনক খাম্বাক চিকিৎসা কৰিবলৈ আদেশ দিলে। ৰজা আৰু মন্ত্ৰীয়ে এইদৰে কথা-বতৰা হৈ থাকোঁতে ৰজাৰ ঘাই সেনাপতি থংলেনে তেওঁৰ সমস্ত ৰণুৱাৰে সৈতে আহি মন্ত্ৰীক লগ ধৰি কলে যে যিসকলে খাম্বাক হত্যা কৰিব ওলাইছিল, ৰজাই অনুমতি দিলে, তেওঁ সেই সকলোকে হত্যা কৰিব পাৰে। থংলেনৰ এই কথাত মন্ত্ৰী নোংথোলবাই কলে—"ডাঙ্গৰীয়া! সদ্যহতে ধৈৰ্য্য ধৰক। আপুনি বাৰু সৈন্য-সামন্ত যুগুত ৰাখক।" নোংথোলবাৰ এই কথাত থংলেন শান্ত হৈ গলগৈ। ইয়াৰ পিছত ৰজা আৰু মন্ত্ৰী উভয়ে আলচ-যুগুতি কৰি প্ৰথমতে খাম্বাক মাৰা মানুহবিলাকক দণ্ড কৰিলে আৰু সময় বুজি ছেগ বুজি নিজৰ বল বান্ধি লৈ যুৱৰাজক মাতি আনি তেওঁক খাম্বা আৰোগ্য নোহোৱালৈকে বান্দীশালত থাকিবলৈ আদেশ দিলে।

৫২৫৫/অ:

ৰাজবৈদ্যৰ চিকিৎসাত খাম্বা যথাসময়ত আৰোগ্য হল। ৰজাই তেতিয়া যুৱৰাজকো বন্দীশালৰ পৰা মুকলি কৰি দি সতৰ্ক কৰিলে যেন যুৱৰাজে আগলৈকো তেওঁৰ বিৰুদ্ধাচৰণ নকৰে। যদি তেওঁৰ বিৰুদ্ধাচৰণ কৰা অলপো প্ৰমাণ পায় তেন্তে তেওঁ যুৱৰাজক নিজা ভ্ৰাতৃ হলেও প্ৰাণদণ্ড বিহিব।" যুৱৰাজে জনালে যে যদি ৰাজ্যৰ বিৰুদ্ধে তেওঁ কিবা বেয়া কৰে তেনেহলেহে ৰজাই তেওঁক প্ৰাণদণ্ড বিহিব পাৰিব; কিন্তু তেওঁৰ অসন্মতিত দেশৰ পূৰ্ব্বাপৰ নিয়মমতে তেওঁৰ জীয়েকক ৰজায়ো নিজে কালৈকো দিব নোৱাৰিব। তেওঁহে নিজৰ জীয়েকৰ গৰাকী। তেওঁ তেওঁৰ জীয়েকক প্ৰাণদণ্ডত বাজে আন যি ইচ্ছা তাকে কৰিব পাৰিব। পূৰ্ব্বাপৰ ৰীতি-নীতি সুৱঁৰি ৰজা যুৱৰাজৰ কথাত মান্তি হল। ৰজাই কলে, যুৱৰাজেও যেন তেওঁৰ (ৰজাৰ) বিনা অনুমতিত থোইবীক কোংয়েম্বালৈ নিদিয়ে। ভায়েক হৈ তেওঁ যেন ৰজাক মিছাত নেপেলায়। যুৱৰাজো এই কথাত মান্তি হৈ ঘৰলৈ গল।—ক্ৰমশঃ



তত্ত্ব-কথা

—শ্রীযুত লক্ষ্মীনাথ বেজবরুয়া

আঘোণৰ আৱাহনত শ্রদ্ধাস্পদ শ্রীযুত হিতেশ্বৰ বৰবৰুৱাই "চণ্ডীপদৰ টোপোলা বুহুদেৱ" বুলি এটা প্রবন্ধ লেখিছে। তাৰপৰা এছোৱা আমি এইখিনিতে তুলি দিলোঁ।—

"আমাৰ কীর্ত্তন পুথিখন মহাপুৰুষ শঙ্কৰদেৱ বচিত আৰু ই ভাগৱতৰ ভাঙনী মাথোন। * * দয়ানন্দ সৰস্বতীয়ে এই ভাগৱত পুথিখন মহর্ষি ব্যাসদেৱ বচিত নহয় বুলি আৰু বোপদেৱ গোস্বামী নামে এজন পণ্ডিতে ৰচনা কৰা বুলি সুন্দৰ আৰু স্পষ্টকপে প্রমাণ কৰিছে। বাস্তবিকে ভাগৱতত ভূগোল বিদ্যাৰ যি পৰিচয় পোৱা যায়, তাৰপৰা ইয়াক অৱতাৰী পুৰুষ মহর্ষি ব্যাসদেৱৰ ৰচনা বোলা ৰব টান। * * এনে স্থলত তেওঁৰ জন্মস্থান যমুনাৰ কাষত থকা গোকুলৰপৰা মথুৰালৈ মাত্র চাৰিমাইলমানহে দূৰ আছিল তাকে তেওঁ নজনাৰ কোনো কাৰণ নাই। ভাগৱত নামৰ পুথিখন ব্যাসদেৱৰ ৰচনা হোৱা হলে, তাত অক্রূৰে বাসুগতিৰে ধোঁৱা লগোৱা ৰথত উঠি অতি প্রত্যুষেই গৈ সূর্য্যাস্তৰ সময়ত মথুৰাৰপৰা গোকুল (গোকুলৰপৰা মথুৰা আমি ধৰি ললোঁ—তত্ত্ব-কথালিখক) পাইছিলগৈ বুলি লিখা নাথাকিলহেঁতেন। যদি ভাগৱত ব্যাসদেৱ বচিত বুলি মানি লোৱা হয়, তেনেহলে ওপৰক্ত কথাখিনি প্রক্ষিপ্ত বুলি ধৰিব লাগিব। সেইদৰে (কীর্ত্তনত) "সবাকে বধিবা বৌদ্ধগণ যত আছে" ইত্যাদি কথাখিনি যে প্রক্ষিপ্ত তাৰ কোনো সন্দেহ নাই। আৰু যদি সেই কথাখিনি সত্য বা প্রামাণ্য বুলি ধৰি লোৱা হয়, তেনেহলে বুদ্ধদেৱক বিষ্ণুৰ নৱম অৱতাৰ বোলাটোৱেই যুক্তিহীন হৈ পৰে। বুদ্ধৰ উপদেশ যি পালন কৰে তেৱেঁই বৌদ্ধ। বৌদ্ধধর্ম্মৰ পঞ্চশীল পালন কৰোতাসকল সাধু পুৰুষ। এতেকে সাধুক বিনাশ কৰিবলৈ যদি কল্কী অৱতাৰ হয় তেন্তে সেই কল্কী অৱতাৰ ভগৱন্ত প্রভূত কেতিয়াও অৱতাৰ হব নোৱাৰে। * * পঞ্চমকাৰৰ পূর্ণ ব্যৱহাৰ যি শাস্ত্রত আছে, তাকে বামাচাৰ বোলে। ভাগৱতৰ অনুকৰণে লিখা আমাৰ কীর্ত্তন পুথিত এই বৌদ্ধশাস্ত্রখনক বামাচাৰ শাস্ত্র বুলিছে; কিন্তু ই সম্পূর্ণ মিছা কথা। কাৰণ বৌদ্ধশাস্ত্রত পঞ্চমকাৰৰ কোনো সম্পর্ক নাই। গতিকে, বৌদ্ধশাস্ত্র কেতিয়াও বামাচাৰ নহয়।"

বাকীটোখৰ তোলাৰ সকাম নেদেখিলোঁ। ওপৰৰ লেখা ডোখৰপৰা প্রথম কথা আমি পালোঁ,—কীর্ত্তন পুথিখন ভাগৱতৰ ভাঙনী।

২য়—ভাগৱত ব্যাসদেৱৰ বচিত নহয়, বোপদেৱ পণ্ডিতৰ বচিত। এই কথা "সুন্দৰ আৰু স্পষ্টকৈ" প্রমাণ কৰিছে দয়ানন্দ সৰস্বতীয়ে।

৩য়—ভাগৱতকর্ত্তা ভূগোল-বিদ্যাত অজ্ঞ।

৪র্থ—বৌদ্ধশাস্ত্রখন ভাল। তাত পঞ্চমকাৰৰ কোনো কথা নাই। বৌদ্ধবোৰ সাধুপুৰুষ, সেইদেখি বৌদ্ধ ৰবিবলৈ বিষ্ণুৰ অৱতাৰ কল্কী হোৱাটো অসম্ভৱ। আৰু ভাগৱত বচক ব্যাস হোৱাহেঁতেন, তেনে কথা তেওঁ নলেখিলেহেঁতেন।

আমি এটা-এটাকৈ লিখৰ কথাকেইটা পিটিকি চাম।

(১) কীর্ত্তন পুথিখন ঘাইকৈ শ্রীমদ্ভাগৱতৰ সংক্ষিপ্তসাৰ ভাঙনী হয়। কিন্তু আন শাস্ত্রবো সাৰমর্ম্ম তাত আছে। যেনে,—পদ্মপুৰাণৰ স্বর্গখণ্ড, ব্রহ্মপুৰাণ ইত্যাদি। শ্রীশঙ্কৰদেৱে কোনো এটা নতুন ধর্ম্ম প্রৱর্ত্তন কৰি প্রচাৰ কৰা নাছিল; লুপ্ত শ্রৱণ-কীর্ত্তন ভক্তিৰসাত্মক নামধর্ম্মক পুনৰ উদ্ধাৰ কৰিছে প্রচাৰ কৰিছিল। ঈশ্বৰৰ অৱতাৰ বুলি স্বীকৃত মহাপুৰুষ,—যেনে চৈতন্য, বামানন্দ, হৰিধ্যানেও তাকে কৰিবলৈহে এই পৃথিবীলৈ আহিছিল। হিন্দুধর্ম্ম চিৰন্তন সনাতন বুলি প্রসিদ্ধ। কালক্রমত সেই ধর্ম্ম মলিন হৈ লুপ্তপ্রায় হলে ঈশ্বৰৰ অংশ মহাপুৰুষসকলে তাক উদ্ধাৰ কৰি সময়োপযোগী কৰি পুনৰায় প্রচাৰ বা প্রকাশ কৰে। গীতাত শ্রীকৃষ্ণই "যদাযদাহি ধর্ম্মস্য গ্লানির্ভৱতি ভাৰত" এই শ্লোকেৰে এই কথাকে কৈছে। ভগৱন্তই অর্জ্জুনক যোগৰ কথা কণ্ঠতে কৈছিল—

ইমং বিৱস্বতে যোগং প্রোক্তৱানহমব্যয়ম্।
বিৱস্বান্ মনৱে প্রাহ মনুৰিক্ষাকৱেঽব্রৱীৎ।
স এৱায়ং ময়া তেঽদ্য যোগঃপ্রোক্তঃ পুৰাতনম্।

ইয়াৰ উত্তৰত অর্জ্জুনে কৈছিল, হে কৃষ্ণ! আপোনাৰ জন্ম পিছত হৈছে আৰু বিৱস্বত মনুৰ জন্ম পূর্ব্বে হৈছে; সেই দেখি আপুনি বিৱস্বতক এই যোগৰ বিষয়ে কৱলৈ কেনেকৈ পালে? অর্জ্জুনৰ কথাৰ উত্তৰত শ্রীকৃষ্ণই কলে—

"বহুনি মে ব্যতীতানি জন্মানি" ইত্যাদি।

ঈশ্বৰ অৱতাৰ কপিলে জন্মগ্রহণ কৰিছিল লুপ্তজ্ঞান পুনৰায় প্রচাৰ কৰিবলৈ—

"কপিল স্বৰূপে আসি ভৈলা অৱতাৰ।
লুপ্ত ভৈল জ্ঞান তাক কৰিলা প্রচাৰ॥"

এইদেখি কওঁ যে "নতুন কিছু কৰ" কৰিবলৈ ঈশ্বৰাংশ মহাপুৰুষসকলৰ আৱির্ভাৱ নহয়, লুপ্ত জ্ঞানধর্ম্মক উদ্ধাৰ কৰি প্রচাৰ আৰু গ্লানি হোৱা ধর্ম্মক পুনৰায় সংস্থাপন কৰিবলৈহে তেওঁলোক আহে। সেইদেখি শ্রীশঙ্কৰদেৱে শ্রীমদ্ভাগৱতৰ "মাথোন ভাঙনী" কৰি তেওঁৰ শ্রৱণ-কীর্ত্তন নামধর্ম্মক প্রচাৰ কৰাত তেওঁৰ মহিমা আৰু যশৰ এচুলিও কমা নাই।

মহাপুৰুষ মাধৱদেৱে তেওঁৰ অমূল্য ঘোষাশাস্ত্রত লেখিছে—

"শঙ্কৰে সংশয় ছেদি শাস্ত্রৰ তত্ত্বক ভেদি
প্রচাৰিলা কৃষ্ণ ভকতি," ইত্যাদি
"শঙ্কৰেসে শুদ্ধ মত ঈশ্বৰ ভক্তিৰ তত্ত্ব
প্রচাৰিলা শাস্ত্রসাৰ জানি।" ইত্যাদি
"পৰম অমূল্য বস্তু হৰিৰ নামৰ পেড়া
অতি গুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি
মুদ ভাঙি সমস্তকে দিল॥"
"ৰাজা প্রজা জানিলেক ভক্তি পথ
শঙ্কৰৰ মত শুদ্ধ।" ইত্যাদি
"নিগুণ কৃষ্ণৰ গুণক প্রকাশ
কৰিলা শ্রীশঙ্কৰে।
শ্রৱণ কীর্ত্তন কৰি মহা সুখে
পাপীয়ো সংসাৰ তৰে॥
পৰম ঈশ্বৰ কৃষ্ণ দেৱতাৰ
গুণৰ নাহিকে অন্ত।
ইহাৰ তত্ত্বক জানিবা কেৱলে
শঙ্কৰে মাত্র জানন্ত॥"
"বৈকুণ্ঠ প্রকাশে হৰিনাম বসে
প্রেম অমৃতৰ নদী।
শ্রীমন্ত শঙ্কৰে পাৰ ভাঙি দিলে
বহে ব্রহ্মাণ্ডক ভেদি॥"
"পৰম কৃপালু শ্রীমন্ত শঙ্কৰ
লোকক কৰিলা দয়া।
হৰিৰ নির্ম্মল ভকতি প্রকাশ
কৰিলা শাস্ত্রক চায়া॥"

(২) ৰবৰকৰাই কৈছে, ভাগৱতখন যে ব্যাসদেৱ ৰচিত নহয়, বোপদেৱ পণ্ডিতৰহে ৰচিত এই কথা দয়ানন্দ সৰস্বতীয়ে সুন্দৰকৈ প্রমাণ কৰিছে।

আমি কওঁ, দয়ানন্দ সৰস্বতীয়ে এইটো সুন্দৰকৈ প্রমাণ কৰক-নকৰক সৰস্বতীয়ে আৰু অনেক শাস্ত্র বিষয়ে ঘাইকৈ ব্যাসৰচিত অষ্টাদশ পুৰাণৰ সম্পর্কে যিবোৰ কৈছে, সেইবোৰো ৰবৰকৰাৰ মনত "সুন্দৰকৈ" প্রমাণিত হৈছে নে? যদি হৈছে, (বোপদেৱৰ?) শ্রীমদ্ভাগৱত কিয়? ব্যাসৰ অষ্টাদশ পুৰাণেই উফৰি ক'ত পৰিবগৈ, তাৰ দু ৰবৰকৰাই ৰাখিছে নে? সৰহ নালাগে, দয়ানন্দই পুৰাণৰ কথাকে যে নামানে এইটো তেওঁ জানে নে? দয়ানন্দ আর্য্যসমাজ সংস্থাপক। আর্য্যসমাজ কলিকতাৰ ব্রাহ্মসমাজৰে নিচিনা প্রায়। পুৰাণৰ ৰাম-কৃষ্ণ অৱতাৰ তেওঁলোকে মনাৰ ভিতৰত নাই। বিষ্ণুৰ ৰবাহ অৱতাৰে পৃথিৱীক ৰসাতলৰ

পবা উদ্ভাব কবাব কথাত দয়ানন্দ সবস্বতীয়ে কৈছিল, ববাহে ক'ত থিয় দি পৃথিবীখন দাঁতেবে তুলি আনিলে? ইত্যাদি ইত্যাদি। মুঠতে দয়ানন্দই বেদব বাহিবে একো নামানে। বেদত লেখা গোমেধ-যজ্ঞবো তেওঁ ব্যাখ্যা দি গকক তাব পবা উবাই দিছে। সেইবাব বহলকৈ কবলৈ ইয়াত ঠাই নাই। এতেকে মাথোন শ্রীমদ্ভাগৱতব বিষয়তে দয়ানন্দব মত তুলি উছাহ দেওৱালে কি হব? ব্যাসব আন আন ওঠবখন পুবাণো, দয়ানন্দব মতত ওলমিলে, উখাও হবব সম্ভব যে। আনব কথা নালাগে, বামায়ণব বামব কথাও যায় যায়।

ধবা যাওক, যদি বোপদেওহে ভাগৱত প্রণেতা তাতেই বা দায় লাগিল কি? এনে এখন শ্রেষ্ঠাতিশ্রেষ্ঠ গ্রন্থ পুবাণব সূর্য্য শ্রীমদ্ভাগৱত যদি বোপদেব নামব পণ্ডিত এজনে বচনা কবিছিল, তেন্তে তেওঁকো দ্বিতীয় ব্যাস বুলি আমি ধবিব লাগিব, কাবণ ব্যাস, নাম গুণব ওপবত হে প্রতিষ্ঠিত। ব্যাস শব্দটোক বিক্রমাদিত্যব দবে অনেকে উপাধি বুলিও ধবে। আক সেই নামেবে অনেকে শাস্ত্র বচনা কবিছিল বুলি প্রচলিত মতো আছে। বাদবায়ণ ব্যাসব পিছত ব্যাসব আসনত তেনে গুণসম্পন্ন কেইবাজনো ব্যাস উপাধিধাবী মহাপুৰুষ বহিছিল, বুলিও পণ্ডিতসকলব মাজত প্রচলিত মত এটাও আছে। মুঠতে কওঁ যে শ্রীমদ্ভাগৱতব বচক মহর্ষি বাদবায়ণ ব্যাসদেৱহে, আন কোনো নহয়—তেহেলৈ সবস্বতী দয়ানন্দই যিহকে কওক। শুকদেৱে পবীক্ষিতক ভাগৱত শুনাইছিল। শুকদেৱক বাদবায়ণ ব্যাসব পুত্র বাদবায়ণি বোলে। বাদবায়ণ ব্যাসেই সত্যবতীব সুত বেদব্যাস।

(৩) ভাগৱত প্রণেতা ভূগোল-বিস্তাত অনভিজ্ঞ। গতিকে ত্রিকালজ্ঞ মহর্ষি ব্যাস ভাগৱত প্রণেতা নহয়। প্রমাণ;—অক্রূবে বায়ুগতিবে ঘোঁৱা লগোৱা বথত উঠি অতি প্রত্যূষেই গৈ গোকুলবপবা মথুবালৈ মাথোন চাবিমাইল দুব।

আমাব বক্তব্য এই—বৃন্দাবনবপবা মথুবা বেলব ষ্টেচনলৈ আজিকালিও চাবিমাইল নহয় ছমাইল দুব। ঘাপব যুগব শেষত কলিব আবম্ভতে কিমান দুব আছিল, কব নোৱাৰোঁ। অৱশ্যে মাটব দূবত্ব কুচি কম নহয় সঁচা, কিন্তু মথুবা নগব আজি অন্ততঃ পাঁচ হাজাব বছিব বছবব আগেয়ে আছিব মথুবাব ওপবতে আছিল নে অথবা কিমান দূবত আছিল, সেই খবব আমি কব নোৱাৰোঁ, পণ্ডিত দয়ানন্দ সবস্বতীয়েও কব পাবিছিল বুলি মনে নহয়; সম্ভৱত "চণ্ডীপদব টোপোলা" লেখকেও নোৱাবে। আগব ইন্দ্রপ্রস্থবপবা পুবণি দিল্লী, আক পুবণি দিল্লীবপবা আজিকালিব নতুন দিল্লীব দূবত্বব ব্যবধানব বিষয়ে ভাবি চালেই কথাবাব বুজিব পবা হব। পুবণি পাটলিপুত্র, আক তাব পিছব পাটনা, আক আজিকালিব নতুন পাটনাব কথাও লগতে ভাবি চাব পাবি। আমাব কামৰূপ-কমস্বব প্রাগ্জ্যোতিষপুবব কথাকো এইখিনিলৈ আগবঢ়াই আনি চালে বেয়া নহয়। আজিকালি গুৱাহাটীক পুবণি প্রাগ্জ্যোতিষ বুলি কয়; কিন্তু কোনো কোনো প্রাত্তাত্ত্বিকে অনুমান কবে, যে সেই পুবাকালব প্রাগ্জ্যোতিষ বর্ত্তমান গুৱাহাটীবপবা এশ মাইলমান দূবত আছিল। আমাব উজনিব বংপুব চহবব নতুন তাঙ্গবণ শিহসাগবব মাজব ব্যবধানটোবেও আমাব কথাষাবব এচিকটামান পোষকতা নকবে নে? কংস মথুবা আক উগ্রসেন শ্রীকৃষ্ণব মথুবাব পিছত সেই মথুবাত কত বৎশব কত মন্বাই বাজত্ব কবি তাক হোহোকা-পিছলা আক লটিঘটি কবিছিল, কোনে কব পাবে? আন নালাগে শ্রীকৃষ্ণ মথুবাত থাকোতেই মথুবাক জবাসন্ধই সোতব বাব আক্রমণ কবিছিল।

"দুনাই দুনাই দেয় ধাব।
হাবিল সতেব বাব।"

"অষ্টাদশ বাবব আক্রমণত—

"তেইশ অক্ষৌহিনী সেনা সাজিয়া প্রবন্ধে।
সেহি সময়তে খেদি আইল জবাসন্ধে॥"

সেইবাব জবাসন্ধই মথুবাত জুই লগাই দি শ্রীকৃষ্ণ আক তেওঁব প্রজাবোবক পুবি মাবিব খুজিছিল। তাব আগতে কৃষ্ণই যোগবলেবে গোটেইবোব প্রজাক নতুন নগব দ্বাৰকালৈ নিলে, আক পিছত নিজেও গল। এতেকে

অক্রূবব দিনব সেই মথুবা সেইখিনিতে আজিও আছে বুলি কবলৈ আমাক সাহে নাটে।

প্রত্যূষতে অক্রূবে কৃষ্ণ আক বলবামক বথত তুলি লগত লৈ ঘোবা ডকাই মথুবালৈ "বাৱনা" হল। ঘোবা বায়ুবেগে যাবলৈ ধবিলে। সেই বুলি যে ওবে বাটটো অক্রূবে বায়ুবেগেবে বথ চলাইছিল, এইটো ভাবি লোৱাটো ভুল। কংস ডাঙব বজা। বজাঘবীয়া বথ টনা ঘোবাটো বা ঘোবা ছটা নিশ্চয় তজবজীয়া তেজী ঘোবা;—মৰ-চেবেলা নহয়। সেই ঘোৱাক বথত লগাই দিলতে সি চেকুবিবলৈ ধবিবই; কাবণ সেই ঘোবা কলিকতাব "হেকনি-কেবেজ" অর্থাৎ "চেকবা গাড়ীব" ঘোবা নহয়। তাব উপবি অক্রূব বীব পুকষ, আক ভাল "ঘোব-চোৱাবো"। সেই দেখি ভাগৱতক কবিয়ে সেই ঘোৱাব গতিক বায়ুবেগেবে ঘোৱা বুলিলে। আমি অকবিয়েই কোনো এটা বিষয়ব বর্ণনা দিওঁতে, নাইবা সামান্য কথা একাষাব কওঁতেই তেনে উপমা দিওঁ। কবিব কথাব মুখত বাঘজবী প্রায় নাথাকেই। এতিয়াই মোব ওচবলৈ অহা মানুহ এজনক মই বেগাই অহা দেখি, কৈছিলোঁ, কুমি ইমান উধাতু খাই আহিলা দেখোন? এনেকুৱা হাজাব হাজাব উদাহবণ দিব পাবি। এতেকে কবিব বর্ণনাব সেইষাব কথাকে লৈ ইমান ডাঙব এটা মন্তব্য প্রকাশ কবাটো ডাঙব সাহব কার্য্য। মথুবালৈকে যে অক্রূবে বায়ুগতিবে বথ চলাইছিল, সেইটো অসম্ভব; কাবণ ঘোবা বেলব ইঞ্জিন নহয়, প্রাণ আক ভোক-পিয়াহ থকা জন্তু। আন কি বেলব ইঞ্জিনকো চেঁচা হবলৈ জিবণি দিব লাগে, নহুবা সি বিকল হয়, অথবা burst কবে—অর্থাৎ ফাটি যায়। বাটত নিশ্চয় ঘোবাক অক্রূবে "দম্" লবলৈ দিছিল, আক পানী "এবাণ্টি" খুৱাব লগীয়াত পবিছিল। তাব উপবি তেওঁ যমুনাক পাবত বথখন গছ এজোপাব ছাঁত যৈ মধ্যাহ্ন সন্ধ্যা কবিবলৈ যমুনাত জোৱাবো মাবিছিল বুলি শ্রীমদ্ভাগৱতত আক "তাব মাথোন ভাঙ্গনী" কীর্ত্তনতো আছে—

"মধ্যাহ্ন সন্ধ্যা কবিবাক প্রতি।
বাখিল বথ পাছে ভানপতি॥
দোভাইক বথে থৈয়া তকতলে।
নামিল গৈয়া যমুনাব জলে॥
বুব দিয়া মগ্ন জপিলা পাছে।" ইত্যাদি

অক্রূব অৱশ্যে আজিকালি আমাব নিচিনা পাশমবা সন্ধ্যাকবোতা নাইবা মাথোন গায়ত্রী জপ কবি নিয়মটো বাখি চলা বিধব নাছিল নিশ্চয়। তেওঁব সন্ধ্যাত কম পক্ষেও এঘণ্টা সময় লাগিছিল। তাব উপবি তেওঁ আক এটা "ফেচাদত" পবিছিল,—তেওঁ বুব মাবি মগ্ন জপ কবি থাকোতেই পানীব ভিতবত আগতে বামকৃষ্ণক বহি থকা দেখিলে—

"বুব দিয়া মগ্ন জপিলা পাছে।
দেখন্ত বামকৃষ্ণ ঐত আছে॥
বথত নাহিকা বুলি উঠিলা।
দোভাইক বথতে চুনাই দেখিলা॥
পুৰ্ব্ববতে বসি আছন্ত দুই॥
চুনাই বুব দিলা বিস্ময় হুই॥

তাব পিছত অনেক কাণ্ড। অনন্তব কোলাত পবম পুৰুষ বিষ্ণুক দর্শন। তাব পিছত অক্রূবব দীঘলীয়া স্তুতি। ইমানবোব কাণ্ড-কাৰ্খনাত নিশ্চয় আক এঘণ্টামান গৈছিল। তাব পিছত উঠি আহি, অক্রূবে আকৌ বথ চলাবলৈ ধবিলে কিন্তু সেই আগব বায়ুবেগ আক তেতিয়া নাই; ধীবে ধীবে।

"এহি বুলি ধীবে বথ ডকাইলা।
দিনান্তে গৈয়া মথুবাক পাইলা॥"

দিনান্তে মানে আবেলিব পিছত বুলিলেও ভুল নহব হবলা।

এইখিনিতে আক এটা কথা পাহবিলে নচলিব। কৃষ্ণব লগতে গোপবাজ নন্দ আক "গোপজাক" মথুবালৈ বুলি যাত্রা কবি ওলাইছিল।

"কহিলন্ত অক্রূবে কংসব বিচেষ্টাক।
মথুবাক যাইবাক সাজিলা গোপজাক॥
শকটে উঠিয়া সবি নন্দ গোপবাজ।
বজনী প্রভাতে বামকৃষ্ণ ভৈল বাজ॥"

সম্ভৱতঃ কংসই নন্দকে আদি কবি গোপসকলকো

ধনুর্যাগ উৎসৱলৈ নিমন্ত্ৰণ কৰিছিল, কাৰণ তেওঁ অকল কৃষ্ণক মাতিলে কিজানি নন্দই কংসৰ অভিপ্ৰায়ত সন্দেহ কৰি কৃষ্ণক পলুৱায়েই। সেইদেখি মহোৎসৱ পাতি কৰদ ৰজা নন্দকো তেওঁৰ মুখ্য মুখ্য প্ৰজাৰে সৈতে আহিবলৈ আদেশ দিছিল। পিছদিনা সেই যজ্ঞ উৎসৱ। কৃষ্ণ বলভদ্ৰক যদিও অক্ৰূৰে ৰথত তুলি বায়ু-বেগেৰে আনিছিল, তথাপি মথুৰা পোৱাৰ আগতে তেওঁ-লোক তেওঁলোকৰ পিছে পিছে গৰুৰ গাড়ীত অহা নন্দ আৰু গোপজাকলৈ নিশ্চয় বাট চাই লাহে লাহে আহিব লগীয়াত পৰিছিল। আৰু মথুৰাৰ সীমাতে নন্দকে আদি কৰি গোপজাকে তেওঁলোকক লগ ধৰা কথাও পুথিত আছে—

পাছে মথুৰাৰ সমীপ পাই।
নামিল ৰামকৃষ্ণ দুয়ো ভাই॥
অক্ৰূৰৰ হাতে ধৰিয়া হৰি।
বুলিলা হেন বাণী হাস্য কৰি॥
ৰথ লৈয়া আগে চলিয়ো ঘৰ।
পাছে সে পশিবোঁ আমি নগৰ॥
ইঠাইতে আমি জিৰাওঁ গোপজাক।

ওপৰত কোৱা কথাবোৰ ভাবিচিন্তি আমি আমাৰ বন্ধুবৰ শ্ৰদ্ধাস্পদ সাহিত্যিক শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰি জাল ব্যাস বোপদেৱ গোস্বামীৰ (?) কথাকে সাৰোগত কৰিলোঁ আৰু ভাগৱত প্ৰণেতাৰ ভূগোল-বিদ্যাত অবিদ্যাৰ মলি নেদেখিলোঁ।

এটা কথা সোধো,—ভাগৱতত জানিবা ভূগোল বিদ্যাৰ জ্ঞানৰ পানী তৰাং আৰু সেইদেখি ভাগৱত ব্যাসদেৱৰ ৰচিত নহয়; কিন্তু আচল ব্যাসদেৱে ৰচনা কৰা ওঠৰখন পুৰাণৰ ভূগোলবিদ্যা "চণ্ডীপদৰ টোপোলা" লেখকে আজিকালি কিবা প্ৰমাণৰ ওপৰত থিয় কৰিব পাৰিব নে? সৰহ নালাগে, লোণ-সাগৰখনৰ বাহিৰে ইক্ষু, সুৰা, সৰ্পি, দধি, দুগ্ধ, জলৰ সাগৰ এখনকে মানচিত্ৰত তেওঁ আমাক দেখুৱাই দিয়কচোন? কালক্ৰমত নগৰ সাগৰ আৰু সাগৰ নগৰ হব লাগিছে। পৰশুইৰ সমুদ্ৰ কালিৰ নবদ্বীপ, আজিৰ নামনি বঙ্গ। ভাৰত আৰু আফ্ৰিকাৰ মাজত থকা লিমুৰিয়া মহাদেশ, আৰু প্ৰশান্ত মহাসাগৰৰ মাজত থকা বিস্তীৰ্ণ মহাদেশখন আজি সাগৰৰ পানীৰ তলত। এতেকে পুৰাণৰ ভূগোলৰ ভুল ধৰিবলৈ যোৱাটো মৰমাহ মাথোন।

এতিয়া আমি লেখকৰ চতুৰ্থ কথাৰ বিষয়ে কম।

"টোপোলা" লেখকে কৈছে, বৌদ্ধশাস্ত্ৰখন ভাল। সোধোঁ, কোনখন শাস্ত্ৰ? বুদ্ধই কোনো এখন শাস্ত্ৰ লেখা নাই। বুদ্ধৰ তিৰোভাবৰ অনেক দিনৰ পিছত তেওঁৰ মতাৱলম্বীসকলে বুদ্ধৰ উপদেশ বাক্যাৱলী সংগ্ৰহ কৰি শাস্ত্ৰগ্ৰন্থ ৰচনা কৰে। এই কথা বৌদ্ধধৰ্ম্মৰ ইতিহাস-পাঠক মাত্ৰেই জানে। বুদ্ধৰ উপদেশ সুন্দৰ, যদিও তেওঁক অনেক বিচক্ষণ পণ্ডিতে নিৰীশ্বৰবাদী বোলে। যাওক, সেই বিষয়ে আমি বিস্তাৰিতভাৱে ইয়াত কবলৈ নাযাওঁ। কিন্তু বুদ্ধৰ তিৰোভাবৰ অনেক কালৰ পিছত বুদ্ধপ্ৰচাৰিত ধৰ্ম্ম বিকৃত হৈ যে সি নানা আকৃতি ধৰিলে, ঘাইকৈ মহাযন আৰু হীনযান এই দুটা দলত বৌদ্ধসকল বিভক্ত হল, আৰু সেই বিভক্ত দলৰ নানা সম্প্ৰদায়ত নানা বামানয় নীতি, ব্যভিচাৰ ইত্যাদি সোমাই বৌদ্ধসকলক সমাজৰ চকুত হেয় আৰু ঘৃণনীয়া কৰিছিল, এই কথাৰ "টোপোলা" লেখকে ভু নাৰাখিলে চলিব কেনেকৈ? বামাচাৰী তন্ত্ৰ, মন্ত্ৰ, মাৰণ, উচাটন ইত্যাদিৰ গুৰি যে হীনতাপ্ৰাপ্ত অপকৃষ্ট পিছৰ কালৰ বৌদ্ধধৰ্ম্ম সেই খবৰ পৃথিবীৰ সকলোৱে জানে। বাস্তবিকতে আদিৰ বৌদ্ধধৰ্ম্ম অবিকৃত থাকি অধঃপাতলৈ নোযোৱাহেঁতেন ভাৰতৰপৰা বৌদ্ধধৰ্ম্মৰ খুটি কোনেও উঘালিব নোৱাৰিলেহেঁতেন। শঙ্কৰাচাৰ্য্যৰ কুঠাৰৰ কোবত বৌদ্ধধৰ্ম্মৰ জীৰ্ণ-শীৰ্ণ-দীৰ্ণ দুৰ্ব্বল অট্টালিকা কেতিয়াও হুৰ্‌হুৰ্‌কৰে নপৰিলহেঁতেন। অৱশ্যে কালক্ৰমত সকলো মহাধৰ্ম্মৰ অৱস্থা বা দুৰৱস্থা এনে হয়। যেতিয়া তাৰ অৱস্থা এনে শোচনীয় হৈ পৰে সি নিজৰ বিষতে জৰ্জ্জৰিত হৈ নিজৰ ভৰতে পৰি যায়। আনৰ হেচোক তাৰ পতনৰ নিমিত্তভাগী হয় মাথোন। এনে বৌদ্ধকহে ভাগৱত আৰু কীৰ্ত্তনত বামানয় বুলিছে, আৰু এনে বৌদ্ধকহে "সবাকো বধিবা বৌদ্ধগণ যত আছে" বুলিছে। অৱশ্যে বুদ্ধদেৱে একেবাৰেই বেদাদি সনাতন শাস্ত্ৰ উৰাই দিয়া, আৰু ঈশ্বৰৰ

অস্তিত্বৰ বিষয়ে নিৰ্ব্বাক হোৱাৰ ফলত যে পিছত এনে হল তাৰ কোনো ভুল নাই; আৰু সেইবাবে তেওঁক আংশিক জগৰীয়াও কৰিব পাৰি। কাৰণ ঈশ্বৰৰ প্ৰেৰিত ঈশ্বৰাংশসম্ভূত মহাপুৰুষসকলে এই পৃথিবীত থকা অজ্ঞানী বা ক্ষুদ্ৰজ্ঞানী মানুহৰ মাজত "সৃষ্টি স্থিতি অন্তকাৰী দেৱ, তাহান বিনাই নাহি কেৱ" এই পৰমাত্মা পৰম পুৰুষ "কাল মায়াদিৰ অধিকাৰী"ৰ অস্তিত্ব আৰু প্ৰভাৱৰ সম্পৰ্কে নিৰ্ব্বাক থকা, বা ঢিলা-শোলোকাভাৱে কথা কোৱাটো ভ্ৰমপ্ৰমাদশঙ্কুল। সেইদেখি ভগৱন্তই শ্ৰীমদ্ভাৱগদ্গীতাত নিজে অৰ্জ্জনক উপদেশ দিছে—

"আৰু যি কুতৰ্কী নমানয় তথা গৈয়া বায়া বাদ্যচয়
বাহু মেলি কৰা অঙ্গীকাৰ অদভুত॥"

পিছৰ কালত বৌদ্ধধৰ্ম্মৰ অত্যন্ত অৱনতি আৰু ঘোৰ কলুষেৰে সি কলঙ্কিত হোৱা বাবে সকলোৱে তাক এটা পাষণ্ড ধৰ্ম্মমত বুলি বুজিছিল। তেনেকুৱা বৌদ্ধক মাৰিবলৈ বুলিহে কল্কী অৱতাৰৰ প্ৰয়োজন অনুভূত হৈছিল। ভাৰতীয়সকলৰ ভিতৰত প্ৰথম চিভিলিয়ান বিদগ্ধ পণ্ডিত পূজ্যপাদ সত্যেন্দ্ৰনাথ ঠাকুৰ বিৰচিত "বৌদ্ধধৰ্ম্ম" গ্ৰন্থৰ মুখপত্ৰত খ্যাতনামা বঙ্গালী সাহিত্যিক শ্ৰীযুত প্ৰমথ চৌধুৰীয়ে লেখিছে—"অৰ্দ্ধ শতাব্দীৰ পূৰ্ব্বে বুদ্ধ কে, তাৰ ধৰ্ম্ম কি, বৌদ্ধসঙ্ঘই বা কি, এ প্ৰশ্নৰ উত্তৰ আমাদেৰ মধ্যে কোটিতে একজনও দিতে পাৰতেন না, কাৰণ বৌদ্ধধৰ্ম্মৰ এই ত্ৰিৰত্নৰ (বুদ্ধং শৰণং গচ্ছামি, ধৰ্ম্মং শৰণং গচ্ছামি, সঙ্ঘং শৰণং গচ্ছামি) স্মৃতি পৰ্য্যন্ত এদেশে বিলুপ্ত হয়ে গিয়েছিল। "বৌদ্ধ" এই শব্দটি অবশ্য আমাদেৰ ভাষায় ছিল, এবং বৌদ্ধ অৰ্থে আমৰা বুঝতুম—একটি পাষণ্ড ধৰ্ম্ম মত; কিন্তু উক্ত পাষণ্ড মতটি যে কি, সে সম্বন্ধে আমাদেৰ মনে কোনৰূপ ধাৰণা ছিল না। সংস্কৃত সাহিত্যে অবশ্য বৌদ্ধধৰ্ম্মৰ উল্লেখ আছে; কিন্তু তাৰ কোন বিবৰণ নেই। আছে শুধু সংস্কৃত দৰ্শন-শাস্ত্ৰে এমতেৰ খণ্ডন। সে খণ্ডন হচ্ছে বৌদ্ধদৰ্শনেৰ। বাঙলা দেশে যাঁৰা দৰ্শন-শাস্ত্ৰেৰ চৰ্চ্চা কৰতেন, সেই পণ্ডিতমণ্ডলীও বৌদ্ধ-দৰ্শন সম্পূৰ্ণ উপেক্ষা কৰতেন। * * এই বৌদ্ধদৰ্শন বুদ্ধেৰ দৰ্শন কিনা, সে বিষয়ে যথেষ্ট সন্দেহ আছে। সুতৰাং বৌদ্ধদৰ্শনেৰ বিচাৰ থেকে বুদ্ধদেৱ, তাঁৰ প্ৰচাৰিত ধৰ্ম্মেৰ ও প্ৰতিষ্ঠিত সঙ্ঘেৰ কোনই পৰিচয় পাওয়া যায় না। * * "তাৰা" যে বৌদ্ধ দেৱতা,—তা ত নিঃসন্দেহ। শীতলাও শুনতে পাই তাই। চণ্ডীদাসেৰ ইষ্টদেৱতা বাশুলিও নাকি বৌদ্ধ-দেৱতা, আৰ বাঙলাৰ পাষাণেৰ পিণ্ডাকাৰ গ্ৰাম্য মঙ্গলচণ্ডী ছিল আদিতে বৌদ্ধস্তূপ। এ অনুমান সম্ভৱতঃ সত্য, কেন না, এ সকল দেৱদেৱী যে ইন্দ্ৰ, চন্দ্ৰ, বায়ু, বৰুণেৰ স্বগোত্ৰ নয়, অৰ্থাৎ বৈদিক নয়, তাদেৰ বংশধৰ ও যে নয়, সে বিষয়ে তিলমাত্ৰ সন্দেহ নাই।"

শ্ৰীমদ্ভাগৱত পাৰমহংস্য সংহিতা। অৰ্থাৎ পৰমহংস পদপ্ৰাপ্তিৰ উপায় এই মহাপুৰাণত বৰ্ণিত হৈছে। এনে-কুৱা জ্ঞান-ভক্তিৰ গ্ৰন্থ সংস্কৃত ভাষাত আন এখনি নাই। অকল সংস্কৃত ভাষাত কিয় আন কোনো সভ্যজাতিৰ ভাষাতো এনে গ্ৰন্থ নাই বুলিলে বঢ়াই কোৱা নহয়। সঁচাসঁচিকৈয়ে ভাগৱত

"নিগম কল্পতৰোৰ্গলিতং ফলং শুকমুখাৎ
অমৃতদ্ৰৱ সংযুতম্।
পিবত ভাগৱতম্ ৰসমালয়ম্ মুহুৰহো
ৰসিকাঃ ভুবি ভাবুকাঃ॥"
"সকল নিগম কল্পতৰু তাৰ ফল মহাভাগৱত
শুক মুখে আসি ভূমিত ভৈল বিদিত।
ৰসত চতুৰ যিটোজন কৃষ্ণৰ চৰণে দিয়া মন
পৰম সন্তোষে পীয়োক ফল অমৃত॥"

সঁচাসঁচিকৈয়ে ভাগৱত "নিগম-কল্পতৰুৰ" "শুকমুখ বিগলিত" "অমৃত দ্ৰৱযুক্ত" ফল। এই ফলত বাকলি, সিটা আৰু গুটি নাই; মাথোন আছে ৰস। সেইবাবেই গ্ৰন্থাৰম্ভতে ব্যাসদেৱে (বোপদেৱ গোস্বামীয়ে নহয়) "ৰসিক ভাবুক"জনক মুক্তিৰ সময়লৈকে নিৰন্তৰ এই ফল আস্বাদন কৰিবলৈ অনুৰোধ কৰিছে। এই নিমিত্তেই শুকদেৱে পৰীক্ষিতক মৃত্যুৰ আগতে এই ফল আস্বাদন কৰাইছিল। আৰু মুক্তিৰ পূৰ্ব্ব পৰ্য্যন্তলৈকেই বা বুলিছোঁ কিয়? মুক্তিলাভ কৰা নিৰ্গুণত স্থিত পুৰুষসকলেও এই ফলৰ আস্বাদনৰ লোভ পৰিত্যাগ কৰিব নোৱাৰে। শুকদেৱে এই কথা নিজেই স্বীকাৰ কৰিছে।—

"পৰিনিষ্ঠাঽপি নৈৰ্গুণ্যে উত্তম শ্লোকলীলয়া।
গৃহীতচেতা ৰাজৰ্ষে আখ্যানং যদধীতবান্॥"

অৰ্থাৎ—

"শুক নিগদতি পৰীক্ষিত যদি আমি নিৰ্গুণত স্থিত
তথাপি উত্তম শ্লোকৰ মহিমাগুণে।
কৰিলেক মোৰ বশ্য চিত্ত ভাগৱত গ্ৰন্থ বিপৰীত,
পৰম আনন্দে পঢ়িলোঁ মই আপুনে॥"—(ঘোষা)

এইবাবেই ভাগৱত মহাগ্ৰন্থক প্ৰশংসা কৰি কোৱা হয়—

"ৰাজন্তে তাবদন্যানি পুৰাণানি সতাংগণে।
যাবদ্ভাগবতং নৈবশ্ৰূয়তে অমৃতসাগৰং॥"

অৰ্থাৎ—

"ভাৰত পুৰাণ আদি যত প্ৰকাশ কৰয় নানা মত
যত মহাজন সবৰ সভা মধ্যত।
পৰম আনন্দ ৰসময় কোটী সূৰ্য্যসম প্ৰকাশয়
মহা ভাগৱত নোহন্ত যাৱে বেকত॥"—(ঘোষা)

শান্তি

গল্প— —শ্ৰীযুত অৰুণ

(১)

"গ'ল, সকলো গ'ল! জীৱনৰ সকলো আশা, সকলো ভাৰসা, সকলো আকাঙ্খা নিৰ্ম্মূল হল। ভাবিছিলোঁ ধনী, মানী, যশস্বী হৈ পৃথিবীত সুখে থাই-লৈ থাকিম; মোৰ সুখ হব, মোৰ পিতা, মাতা, ভাই, বন্ধুৰ দুখ গুচিব; কিন্তু নিয়তিৰ কি ভীষণ পৰিহাস! উস্ এয়ে নে উচ্চ শিক্ষাৰ পৰিণাম! মই আজি কি? সচাকৈয়ে মই মানুহ নে? কি আছিলোঁ, আজি মই কি হলোঁ! খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, থাকিবলৈ ঘৰ নাই। কি আছে মোৰ? আছে নে মোৰ কোনোবা এই সংসাৰত? মোৰ একো নাই। মোৰ বৃদ্ধ পিতা মাতা—উহু তেওঁলোকৰ কি দুখ! আইৰ সেই চলচলীয়া চকুজুৰি! কি কৰিছোঁ মই? তেওঁলোকৰ মোৰ প্ৰতি মৰম আছে নে? মই বিশ্বাস নকৰোঁ। চাৰিজন মোৰ ভাই-ককাই। তেওঁলোকে মোক একো দিব নোৱাৰে। নালাগে মোক একো দিব। কিন্তু লাগে অকণি মৰম অকণি ভালপোৱা। কিন্তু নাই, কোনেও নিদিয়ে। মোক কোনেও দেখিব নোৱাৰে। সেই কোমল বয়সীয়া পোন্ধৰবছৰীয়া ছোৱালীজনী! মোৰ বিবাহিতা পত্নী; মই ভাল পাইছিলোঁ। ক'তেই বা তেওঁ! দুখত কাল কটাব লাগিছে—বৈবাহিক জীৱনৰ অকণো সুখ নাপালে। হায় ইয়ালৈকে পুতেকক বাপেকে বিয়া কৰাই দিয়ে নে? মোৰ অন্তৰ পুৰি ছাই হৈ গ'ল। কিয়?—মই আজি পিশাচ। আকাশত সৌটি জোন। জোনবাই, তুমি হাঁহিছা, মোৰ অৱস্থা দেখি তুমি হাঁহিছা? হাঁহি থকা। কিন্তু মনত ৰাখিবা—কিহৰ শব্দ সেয়া? কিহৰ ৰং-ধেমালি আজি! কিহৰ হাঁহিৰ ঢৌ উঠিছে আজি? মোক হাঁহিছে, মোক দেখি হাঁহিছে! সঁচা নে? ইয়াৰ প্ৰতিশোধ—নাই—আজি মাঘ বিহু। বিহু নহয়, আজি উৰুকা। সকলোৱে আজি খাব, লব, ৰং-ধেমালি কৰিব, কালি মেজি পুৰিব। ভাই, বন্ধু, পিতা, মাতা, জীয়াৰী, বোৱাৰী সকলো লগ লাগিব। কিন্তু আজি মই ক'ত? মই আজি অকলশৰে ইয়াতে। মোক কোনেও বিহু খাবলৈ নামাতে নে? সৌৱা আহিছে কোনোবা। কোন তেওঁ! তেওঁক তো মই আগেয়ে ক'তো দেখা নাই! কোন তুমি! শ্যামবৰ্ণ, ৰক্তবস্ত্ৰ, ৰক্তচক্ষু, উজ্জ্বল মুকুটধাৰী দণ্ডপাণি

কোন তুমি? ক'লৈ যোৱা? অ' চিনিছোঁ। তুমি মোক মোৰ এই সংসাৰৰ জ্বালা-যন্ত্ৰণা অসহ্য বেদনাৰপৰা উদ্ধাৰ কৰিবলৈ আহিছা, নহয় নে? মোক তোমাৰ ঘৰত বিহু খাবলৈ মাতা ভাই, মোৰ ঘৰত খাবলৈ একো নাই। হাতবাউলি মাতিছা মোক তুমি! গৈছোঁ—গৈছোঁ—গৈছোঁ!

"কোন আকৌ সৌটি? কাৰ সেই সুন্দৰ মুখখনি? সৰলতাপূৰ্ণ কাৰ সৌ নীল চকুজুৰি? কেকোৰা চুলি আৰু বৈ পৰা চেলাউৰি সৌৱা কাৰ? আৰক্ত কপোল ওষ্ঠাধৰ শোভি সৌখনি কাৰ মুখমণ্ডল? কোন তুমি হে দেবী নীলাম্বৰী? কিয় তুমি মোৰ ফালে এনেকৈ চাইছা? অ' চিনিছোঁ! চিনিছোঁ! কিয় তুমি এই নিৰ্জন অৰণ্যবাসী দুৰ্ভগীয়াৰ ওচৰলৈ আহিলা? কিয় বা তুমি ইমান বাট আহি তোমাৰ কোমল ভৰিক দুখ দিলা!

কি আছে মোৰ? কি কৰিব পাৰোঁ মই তোমাক? কি ক'লা? ভালপোৱা? ভালপোৱা য'ত থাকে সেয়েই মোৰ নাই; মোৰ অন্তৰ ছিন্ন-বিচ্ছিন্ন হৈ গৈছে। তুমি মোৰ ওচৰত ভালপোৱা কেনেকৈ বিচাৰা? তুমি ওচৰলৈ আগৰ'ঢ়ি আহিছা? নাহিবা, মোক তুমি নুছুবা, মই পিশাচ। ভালপোৱা তুমি মোক দিবা? ইয়াকে তুমি মোক কৈছা? তোমাৰ ভালপোৱাৰ প্ৰবল সোঁত মোৰ শূন্য হৃদয়লৈ বাগৰি আহিব? সঁচা নে? আহা মোৰ মইনা, আহা, বহা তুমি মোৰ ওচৰতে। তোমাৰ কোমল হাতখনিৰে মোৰ মূৰটো পিহি দিয়া। আহা, মই দুহাত মেলি বৈ আছোঁ,—মোৰ বুকুত সোমোৱাহি। কি! সঁচাকৈয়ে সপোন! গ'ল! যাওঁ তেন্তে ময়ো।"

(২)

"নবীন অ' নবীন!"

নবীনে পুৱতি পুহমহীয়া নিশাৰ টোপনিটো এৰিবলৈ টান পাই লাহেকৈ ইকাতি হৈ মাত লগাইছে "কি?"

"উঠচোন, মোক এতাৰ বাঢ়নী আনি দে। বোৱাৰীহঁত উঠিবলৈ মই চোতাল সাৰি থওঁ। আৰু কলহ এটাও আন; বোৱাৰীহঁতক মুখ ধুবলৈ পানী লাগিব,—পানী আনোগৈ। বেটীহঁত ডাঙৰ মানুহৰ জীয়াৰী, বাবুৱনী। ইমান পৰলৈ শুই নুঠে। হেৰ নবীন! কাণত পানী ঢালি দেগৈ অ'।"

এটা সৰু ঘৰৰ দুৱাৰখন মেলি এজনী চৈধ্য-পোন্ধৰ বছৰীয়া ছোৱালীয়ে চকুমুখ মোহাৰি ওৰণিখন টানি লৈ চোতাল সৰাত লাগিল। চোতাল সাৰি উঠেমানে ৰাতি ভালকৈ পুৱাল। ছোৱালীজনীয়ে কাষত কলহ লৈ পানী আনিবলৈ গ'ল। পানী আনি লোটা গামোচা আদি পিৰালিত থৈ চাহৰ কাৰণে পানী তপতাবলৈ ধৰিলে। এইখিনিতে আৰু দুজনী তিৰুতা মানুহ দুটা ঘৰৰপৰা ওলাই লাহে লাহে পুখুৰীৰ ঘাটলৈ খোজ ললে।

"হেৰ নবীন, এই মৰণাৰ খেৰবিলাক জোকাৰিবলৈ কোনো নাই নে কি অ'?"

"খাবলৈ পাইছে সকলোৱে। এইবিলাক ধানৰ আলাই-আথানি। যেতিয়া মোনা লৈ খুজি ফুৰিব তেতিয়াহে বুজিব।"

"হেৰ ন-বোৱাৰী—"

"কি হ'ল আই?"

"চোতালত যে মৰণা পৰি আছে দেখা নাই নেকি?"

"মোৰ হিহা ধৰি আছে আৰু। আছো নহয় তাইৰ বান্দীজনী!"

"এ নহয় ডাঙৰ বাইদেউ, তাই বাবুৰ তিৰুতা বাবুৱনী। কেলৈ নো মৰণা জোকাৰিব!"

"ৰ, তইঁত মনে মনে থাক। মই বুঢ়া আছোঁ, তইঁতৰ কি ভয়? মই সকলো কৰি দিম। তইঁত ঘৰে ঘৰে সোমাই থাক।"

"ওঁ আনিছোঁ তো আমি শাহু-শহুৰ বোৱা বোৱাৰী। নকৰিলে কেনেকৈ হব!"

ন-বোৱাৰীয়ে চাহৰ তলত জুই দি আহি খেৰ জোকাৰিবলৈ লাগিল। বৰ বোৱাৰী ভিতৰ সোমাল। লাহে লাহে দুপৰ হ'ল। বৰ বোৱাৰীয়ে লাহেকৈ ঘৰৰ পৰা পলাই ৰান্ধনি-ঘৰলৈ খোজ ললে। যাওঁতে যাওঁতে কৈ গ'ল "অ' কইনা...।"

"কি ?"

"চাউল-পাত ধুইছ নে? মাছ আঞ্জা আনিলি নে নাই ?"

"কিনো কবি আছিলি ইমান বেলি? মবণাৰ খেৰ জোকাৰোতে ইমান সময় লাগে নে? ময়ো বহি থাকিম দেচোন তেনেহলে।"

ন-বোৱাৰীয়ে একো নামাতি লবালবিকৈ চাউল কাঁৰি আনি ধুই আঞ্জা-পাতি যতনাই দিলে।

"অ' ন-বোৱাৰী, চোতালত যে ধানসোপা দ'মাই থৈছ মেলি দিব লাগে বুলি নেজান হবলা ? সৌ সলোৱা চুবিয়াখনো তাতে পৰি আছে, দেখা নাই ? কণা ৰৈছ ? মই বন কবি দিব লাগে, নহয় ?"

ধান মেলি, চুবিয়া ধুই আনি ন-বোৱাৰী অলপ জিৰাবলৈ ভিতৰ সোমাল। ইফালে ভাত হ'ল। ভিতৰৰ পৰা ডাক আহিল—"অ' কইনা, মজিয়া ভাল কবি দেহি।" ন-বোৱাৰীয়ে মাজু বোৱাৰীক কলেগৈ—"বাইদেউ, মোৰ ভাগৰ লাগিছে, তুমিয়েই মজিয়াখন আঁতাই দিয়াগৈ মোৰা।"

"নোৱাৰো মই। মোৰ কেচুৱা লবলৈ আছে। তুমি নো ক'ত লোৰ নাঙলখন ঠেলি আহিলা ? ইঃ, কোমল শৰীৰ ! ভাগৰ লাগিছে !"

"কি ৈছেছে মাজু বোৱাৰী ?"

"কইনাৰ বোলে ভাগৰ লাগিছে আই ! মই মজিয়া আঁতাবলৈ যাব লাগে।"

"উস্ আৰু যে হোৱাই নাই ! ইমানতে। বহুৱাই থবলৈ বিয়া কবাই আনিছোঁ নে কি ? যা সোনকালে। ভাত খাই ধানৰ ডাঙৰি আনিবলৈ যা। লাঁবাইতে কাটি থৈছে, তইতে কঢ়িয়াগৈ।"

সন্ধ্যা লগাত ন-বোৱাৰীৰ ধান কঢ়িওৱা শেষ হ'ল। হাত-ভৰি ধুই অলপ জিৰালে আৰু সেইপিনেই টোপনি গ'ল। বুঢ়া ঘৰত নাছিল ; ক'ৰবাৰপৰা আহি পাইছে। আহিয়েই শুদা ঘটাটোত হাত দিলে।

"উস্ থৈছে আৰু ঘটা লোটা সকলো শুদা কবি। মই এতিয়া পুখুৰীলৈ গৈ পানী আনি ভৰি ধুব লাগিব আৰু। গোটেইমথা বাণী হ'ল। সন্ধিয়া লাগিল যে শুলে আৰু চকুৰ আগত ভোটা কেইটা লগাই থৈ। মই কেবাচিন তেল আনি দিছোঁ নহয়। মই বন নকৰোঁ আৰু, তাতে মোৰ ওপৰত খং। সৌকাৰ টোকনেৰে কোবাই একেবাৰে তহিলং কবিম একা কিবা খং উঠিলে।"

"বেটা-বোৱাৰী হোৱাৰ যহত এতিয়া বুঢ়াটোৱে ভৰি ধুবলৈ পানী এটোপা নোপোৱা হ'ল ! স্বতা-নেতা নবহে নাই, অইন একো বন কবিবলৈ নাই, মাত্ৰ খোৱা। বই এইখন গৃহস্থী অকলে আওৰা নাছিলো নে ? বেটা ইতৰ চভিয়া ছিগি পবিল। মৰ টোপনিয়ে ধৰিছে।"

ন-বোৱাৰী লাহেকৈ উঠি আহি পানী দিলে। পানী ওচৰতে আন এটা ঘটীত থোৱা আছিল। পানী দি থৈ আকৌ থোৱাৰ কাৰবাৰত লাগিল। বাতি প্ৰায় বামমান বজাত শুবলৈ গ'ল। বেচেৰীৰ বৰ দুখ। গাকটোত মুখথন দি ক'লে—"হে ঈশ্বৰ, তুমি—মোক—" আৰু শুনা নগ'ল।

(৩)

"অকণা !"

"কি ? ক'ত ফুৰিছিল আপুনি ইমান পৰলৈ ?"

"ঘ'তে ঘুৰুবিছিলো ;—কেলেই নো লাগিছে তোমাৰ! মই কৈফিয়ৎ দিব লাগিব নে কি ?"

"লাগিব তো ?"

"নিদিলে কি কবিবা ? কাণ কাটিবা নে কি ?"

"কাণ কটাবহে কথা কৈছে ? আৰু কিবা কবিম ?"

"কি কবিবা ?"

"বান্ধি থম।"

"কিহেবে ? পথাবে নে ?"

"পথা মোৰ কিবা নাই নে কি ?"

"বাক অকণ, মই যোৱাবে ঠিক কবি আহিলোঁ।"

"ক'লৈ ?"

"সিদিনা যে কৈছিলোঁ। ইয়াত নো আৰু কিমান দিন বহি থাকিম ? ঘৰতো কোনেও দেখিব নোৱাৰে। মই যামেই।"

"তেন্তে মোৰ কি হব ? আপুনি শুচি গ'লে মই



'পানীয়া ভৰণে'

Printed at Jewel of India Press, Ca'cutta.

শিল্পী—বন্দে আলি

কেনেকৈ থাকিম ? মযো বাম আপোনাৰ লগতে। আপুনি চকুৰ আগত থকাতে মোৰ এই অৱস্থা। নাথাকিলে তো মোক খাযেই পেলাব।"

"তুমি থাকিবা আৰু কোনো ৰকমে। মই তো তোমাক লৈ যাব নোৱাৰোঁ। তোমাক নো মোলৈ কিয় বিয়া দিছিল, মই কব নোৱাৰো। মোৰপবা তো তোমাৰ একো সুখ নহল। এতিয়াও মোৱা !"

"বাম, নোযোৱাকৈ থাকিম নে কি ?"

"ক'লৈ ?"

"কোনোবা এজনৰ লগত গুচি যাম।"

"কাৰ লগত ?"

"নকওঁ।"

"কোৱা মোৰ লাহৰী কোৱঁা।"

"কব নোৱাৰো, দেখুৱাই দিব পাৰোঁ।"

"দিয়া বাক দেখুৱাই।"

"সেইজনৰ লগত।"

"কোনজন ? ইয়াত তো কোনো নাই।"

"এইজন নহয়।" অকণাই বিমলৰ গাত ঠেলা মাৰি দিলে, বিমল বিছনাত পৰি গ'ল।

"কিয় মাৰিলা মোক ?"

"ক'ত মাৰিলো, দেখুৱাইহে দিছিলোঁ।"

"ইয়াৰ শাস্তি লব লাগিব।"

"বাজি। কি শাস্তি কওক ধৰ্ম্মাৱতাৰ !"

"শাস্তি জবিমনা।"

"জবিমনা নিদিওঁ, ফাটেক খাটিম।"

"জবিমনা নিদিলে জোক কৰা হব।"

"যো হুকুম.."

ধীৰে ধীৰে বিমলৰ দুইহাতে অকণাক বুকুত সুমুৱাই ললে ; ধীৰে ধীৰে বিমলৰ গালে অকণাৰ গাল স্পৰ্শ কৰিলে, ধীৰে ধীৰে দুযোৰো মুখ লগ লাগিল ; এটা নিস্তব্ধ শব্দ ধীৰ বতাহত মিলি গ'ল।

বাতি পুৱাল। আজি বিমল যাব। পুৱাৰপবাই অকণাই খোৱাৰ কাৰবাৰ কৰিছে। কিন্তু অকণা আজি ম্রিয়মাণা। মনত অকণো আনন্দ নাই। খোৱাৰ কাৰবাৰ কৰি দি অকণা ঘৰত সোমাল ; বিমল বাহিৰ ওলাই গৈছে। অলপ সময়ৰ পিছতে বিমল আহি সোমাল। দেখিলে অকণাই মুৰে-গাযে কাপোৰ লৈ শুই আছে। লাহেকৈ মুৰৰ কাপোৰখন গুচাই দিলে। কিন্তু ইকি ! অকণাৰ চকু বঙা, চকুৰ পানীযে গাকটো তিয়াই পেলাইছে। নাকটো ফুলি বঙা পৰি উঠিছে।

"কি হ'ল মইনা ? কান্দিছা কিয় তুমি ?"

"নাই কন্দা।" ভগা মাতেৰে অকণাই উত্তৰ দিলে।

বিমলে লাহেকৈ হলি গৈ অকণাৰ মুখতে চুমা এটা খালে। তাৰ পিছত লাহেকৈ তুলি বহুৱাই থুতবিটো ডাঙি ধৰি—আকৌ—আকৌ—আকৌ।

"মই আকৌ আহিম নহয় মইনা ! তুমি নাকান্দিবা, আৰু মনত দুখ কৰি নাথাকিবা দেই।"

"ওঁ।"

"তুমি দুখ কৰি থাকিলে মোৰ মন বেযা লাগি থাকিব নহয়। মই সোনকালে আহিম।"

"আপুনি ভাত কেনেকৈ খাব ?"

"যেনেকৈ নহক খাম আৰু ; তুমি মাত্ৰ ভাতপানী নোযোৱাকৈ নাথাকিবা।"

"আপুনি খোৱা-বোৱাত কোনো ৰকম কষ্ট নকৰিব। নহলে মই বেযা পাম।" গাড়ী আহি পালে। অকণাৰ অশ্রুসিক্ত মুখত সহস্র চুম্বনৰ বেখা অঙ্কিত কৰি বিমল যাবলৈ ওলাল। "অকণ, মইনা মোৰ, মই আহিলো দেই।" অকণাই মাতিব নোৱাৰিলে, মাত্ৰ চকুৰে কলে 'ও'। আগেয়ে অইনবিলাকৰ পবা বিদায় লোৱা হৈ আছিল। বিমল গাড়ীত উঠি কাপোৰকানি লৈ শুই পবিল। গাড়ী গুচি গল।

(৪)

বিমল নব্য শিক্ষাত শিক্ষিত ; তেওঁ গ্রেজুৱেট। কিন্তু কাম-কাজ নাপাই ঘুৰি ফুৰিছে। স্কুল আৰু কলেজত বিমল ভাল লৰা আছিল ; ঘৰত ভাল, বাহিৰত ভাল, সদায় আনন্দ, সদায় ফুৰ্ত্তি। কিন্তু তেওঁ কাকো পৰোৱা নকৰে, কাৰো ওচৰত খাটিব কৰিবলৈ নামায়। এয়েই তেওঁৰ দোষ। অকণাৰ লগত বিমলৰ বিয়া কেতিয়াবাই

হৈ যায়। বৈবাহিক জীৱনত বিমলে ভাবিছিল বহুত, কি সুন্দৰ সুখৰ ছবি আঁকিছিল তেওঁ। ভাবিছিল, শিক্ষা সাং কৰি তেওঁ এটা ডাঙৰ চাকৰি কৰিব, নহলে কোনো ভাল কাৰবাৰ কৰি ধন আৰ্জিব, গাৱঁৰ ঘৰৰ অৱস্থা সুন্দৰ কৰি তুলিব, বুঢ়া মাক বাপেকৰ দুখ গুচাব, ভায়েক ককায়েকহতক সুখ দিব; আৰু তেওঁ নিজে চহৰত ঘৰ কৰি থাকিব। অৰুণা অশিক্ষিতা, তেওঁ ভাবিছিল অৰুণাক ভালকৈ শিক্ষা দিব। তেওঁ স্ত্ৰীশিক্ষাৰ বৰ পক্ষপাতী। তেওঁৰ ইচ্ছা আছিল অৰুণাই পঢ়িব, আৰু তেওঁৰ সমাজত স্থান অনুসৰি অৰুণা থাকিব। তেওঁৰ ধাৰণা আছিল অৰুণা শিক্ষিত ভদ্ৰলোকৰ সহধৰ্ম্মিণী। অৰুণাক পথাৰত কাম কৰিবলৈ নপঠিয়াবলৈ তেওঁ মাকক কৈছিল আৰু বৰ বেছি দুখ নিদিবলৈকো কৈছিল। তিৰুতাক কষ্টকৰ কাম কৰিবলৈ দিয়া আৰু খুচৰি খুচৰি দোষ উলিয়াই গালি পাৰি গেমেহা কিল দিয়া তেওঁ বৰ ঘিণ কৰিছিল। তেওঁৰ মানত তেওঁ যেতিয়া শিক্ষিত ভদ্ৰলোক, তেওঁৰ সহধৰ্ম্মিণীও শিক্ষিতা ভদ্ৰমহিলা হব লাগিব। তেওঁ যদি গ্ৰাম্য চহা হলহেতেন তেওঁৰ ঘৈণীয়েকো তেনে হল হেতেন। নহলে সহধৰ্ম্মিণী কি?

কিন্তু বুঢ়া মাক-বাপেকৰ ধাৰণা ইয়াৰ ঠিক বিপৰীত। ঘৰৰ কোনেও অৰুণাক তেনেকৈ ৰাখিবলৈ ৰাজি নহয়। অৰুণাই ঘৰতো সকলো কাম কৰিব লাগে আৰু পথাৰতো কাম কৰিবলৈ যাব লাগে। তাৰ উপৰিও ভোৰ্ভোৰণি, ভোৰ্ভোৰণি, গালি। বুঢ়া-বুঢ়ীয়ে পুৱতি নিশাতে উঠি যি বকনি আৰম্ভ কৰিব সি দুপৰ নিশাহে শেষ হব। এই-বিলাকত বিমলে আপত্তি কৰে; কয়, মোলৈ বান্দী বিয়া কৰাই আনিছিল নে কি? ইয়াতে বিমলক সকলোৱে বেয়া পায়।

ঘৰখনত কাৰো সুখ নাই, কাৰো আনন্দ নাই. কাৰো মুখত হাহি নাই; সকলোৰে মুখ আন্ধাৰ। এইবিলাক কাৰণত বিমল সদায় অসুখীয়া, সদায় বলিয়াৰ নিচিনা। ক'ৰবাত সামান্য চাকৰি এটা পাই বিমল আজি গুচি গল।

(৫)

চাৰিওপিনে পথাৰ—চাৰিওপিনে নৰাণি। এই পথাৰৰ মাজতে চাৰিটামান জুপুৰি পজা। ইয়াৰে এটা জুপুৰিৰ দুৱাৰমুখত এজন আধা-ময়লা কাপোৰ পিন্ধা বাইচ-তেইচবছৰীয়া ডেকা থিয় হৈ আছে। ওচৰত তেওঁৰ কোনো নাই। তেওঁ মাজে মাজে আকাশলৈ চাই হাহিছে, একোবাৰ দাঁত কামুৰিছে, একোবাৰ কিবা ভাবিছে। শূন্যলৈ চাই একোবাৰ কিবা কৈছে। তেওঁ কবলৈ ধৰিলে "আই, তুমি আকৌ কিয় ইয়ালৈ আহিলা? তুমি মোৰ আই, কিন্তু পুত্ৰৰ প্ৰতি তোমাৰ এয়ে মৰম নে? মোৰ বিয়া পাতিবলৈ মই হাক দিছিলো, নুশুনিলা। মোৰ কথা নুশুনিলা। মোৰ শক্তি নাই যে তোমালোকৰ দুখ গুচাওঁ। মোৰ ধন নাই, মোৰ কাম-কাজ নাই। সেই বুলি তোমালোকে মোক এনেকৈ দলিয়াই পেলাব পোৱা নে? মোলৈ তোমালোকৰ অকণো মৰম নাই নে? উঃ কি যন্ত্ৰণা! মই যদি তোমাৰ পো হওঁ তেন্তে তোমাৰ বোৱাৰী তোমাৰ জী নহয় নে? তেন্তে এনে দুৰ্ব্যবহাৰ কিয় হে মাতৃমূৰ্ত্তি! সৌৱা শুভ্ৰ শ্মশ্ৰু-কেশবিশোভিত সংসাৰ-দুঃখবিগলিত সৌখনি কাৰ মুখ? মোৰ পিতা! পিতা—আপুনিও! নোৱাৰিলোঁ। মোৰ দ্বাৰা নহব। মোক আপোনালোকে বাদ দিয়ক। মই আজি কি জানে নে পিতা? মই একো নহওঁ, মই নাই। কিন্তু পিতা, মই ভবিষ্যদ্বাণী কৰি যাম, মই পৃথিৱীক কৈ যাম—কি হল? কলৈ গল—মোৰ মনটো? অ' আহিছে। ক'লৈ গৈছিলাহে মোৰ মন? গৈছিলা নে তুমি মোৰ প্ৰিয়তমাৰ ওচৰলৈ? কোৱা, কি কৰিছে মোৰ সাদৰী মইনাই? মন মাৰি বহি আছে? মোৰ আদেশত তুমি আকৌ গৈ কৈ আহা, মই ভালে আছোঁ। নাই, মই নিজেই যাম।—মন মাৰি বহি আছা প্ৰিয়তমা মোৰ! কি দুখত কোৱা মোৰ সাদৰী সোণাই! মই যে কৈছিলো আহিম বুলি আকৌ—এয়া চোৱা আহি পালো মই। আহা মোৰ ওচৰলৈ আহা।—কি! শূন্যত সাবটিছোঁ মই! শূন্যত চুমা খাইছোঁ।—বিমল! তুমি বলিয়া হৈছা নেকি? যাওঁ—যাওঁ—গুচা তুমি আগৰ পৰা মোৰ।" ডেকাজন

লাহে লাহে ভিতৰ সোমাল আৰু ভিতৰৰ পৰা দুৱাৰ বন্ধ হল।

(৬)

শ্ৰীযুত.....

বৰ দুখেৰে কবলগীয়া হৈছে যে আপোনাৰ লৰা শ্ৰীযুত বিমল কুমাৰ ভট্টাচাৰ্য্যই ইয়াত কাম কৰিছিলহি। তেওঁ আহিবৰ দিনৰে পৰা মন মাৰি আছিল। খোৱা-লোৱা-পকা আদিলৈ কোনো মন-কাণ নিদিছিল।

প্ৰায় দুসপ্তাহমান আগৰে পৰা তেওঁ বলিয়াৰ নিচিনা হৈছিল; তিনি-চাৰিদিন একো খোৱা নাই। আজি দুদিনে তেওঁক ইয়াত বিচাৰি পোৱা নাই। যদি ঘৰলৈ গৈছে অতি শীঘ্ৰে জনাব ইতি—

বিনীত—

শ্ৰী.....

অৰুণাই সদায় বিমললৈ বাট চাই থাকে। বিমল আহিব! কিন্তু নাই বিমলৰ কোনো খবৰ নাই। অৰুণাৰ বৰ দুখ। কিন্তু তাইৰ দুখ পতিয়াবলৈ কোনো নজন্মিল। যি জন্মিছিল সিও আজি ওচৰত নাই। বিমলৰ বাপেকলৈ এদিন হঠাৎ চিঠি এখন আহি পালে। তাত লিখা আছিল বিমল বলিয়া হৈ কাম কৰা ঠাইৰ পৰা কৰবালৈ গ'ল। সকলো নিমাত—সকলো নিতাল। কেউফালৰ পৰা হুমুনিয়াহ উঠি শূন্যত মাৰ গ'ল। মাকে কান্দিলে, অৰুণাই কান্দিলে। কি হ'ব?

অৰুণা ভিতৰলৈ সোমাই গ'ল। বিমলৰ ফটোখনৰ ওচৰত থিয় হৈ চাবলৈ ধৰিলে। ফটোখনক সুধিলে 'সচা নে?' ফটোখনে হাঁহিলে—মিছা। অৰুণাৰ বিশ্বাস নহয় যে বিমল আৰু নাহিব। কিন্তু কাকো একো নকলে। মনৰ দুখ মনতে মাৰ নিয়াই দিন কটাবলৈ ধৰিলে।

(৭)

গাৱেঁ-ভূঁয়ে কেউফালে ভোগালি বিহুৰ শুভ আগমনৰ শুভবাৰ্ত্তা; চাৰিউফালে আনন্দ, চাৰিউফালে ফুৰ্ত্তি। বেলি লাহে লাহে পৰি আহিছে। এনে সময়তে এটা মানুহ বলিয়াৰ নিচিনাকৈ দৌৰি দৌৰি আহি সেই গছজোপাৰ তলত বলহি; পাছত এজাক গৰখীয়া লৰা। মানুহজনৰ চুলিবিলাক ভালকৈ কটা; দাড়ি-গোফ আগেয়ে খুৰুৱাৰ চিন আছে; কাপোৰ-কানিবিলাক দামী, কিন্তু এতিয়া অপৰিষ্কাৰ। এজন ভাল কাপোৰ পিন্ধা মানুহ ঠিক সেই সময়তে সেইখিনি পালেহি। তেওঁক সেই মানুহজনে আগভেটি ধৰি তৎক্ষণাৎ সুধিলে—"পৃথিৱীখনত কি আছে কব পাৰা নে?" তেওঁ উত্তৰ দিলে "কিয়? পৃথিৱীত সকলো আছে।" "ধেৎ মূৰ্খ, ইয়াত একো নাই; আছে মাত্ৰ স্বাৰ্থ। তই নাজান, কাৰণ তই বুজি পোৱা নাই, তই কণা। ময়ো এদিন ভাবিছিলোঁ—"সেই মানুহজনে অলপ সময় ইজনৰ মুখলৈ চাই থাকি লাহে লাহে গুচি গল। "ভাবিছ, মই একো নাজানো; মোৰ কথা নুশুনি তই গুচি গলি; কিন্তু এদিন আহিব তই মোক মনত কৰিবি। কি সৌবিলাক? সৌবিলাক তইঁতৰ ঘৰ? ছি, তেনেকৈও মানুহ থাকে নে? সৌ খেৰৰ জুপুৰিত সোমাই নিমখে ভাতে খায়ো মানুহ জীয়াই থাকে নে? অ' তইঁত তো মানুহ নহৱ, তইঁত ভূত, তইঁত পশু। যা, যা—"গোট খোৱা মানুহ বিলাক লাহে লাহে তাৰ পৰা গুচি গল। "ভাবিছিলোঁ—নাই; নহয়। মোৰ এদিন সকলো আছিল। ইচ্ছা হয় এবাৰ,—নাই তালৈ যদি যাওঁ মোক মাৰিব, মোৰ তাত নহব। আছে নেকি মোৰ সুখ? সিও তো নাই। তথাপি কাৰ দোষ? সঁচাকৈয়ে মোৰ দোষ নে? নহয়। যাওক, সকলো যাওক, পৃথিৱী তললৈ যাওক! বৰ বেয়া ঠাই এই পৃথিৱীখন। ইচ্ছা আছিল—গল, সকলো গল, জীৱনৰ সকলো আশা, সকলো আকাঙ্খা নিৰ্ম্মূল হল! কেনি যাম? সৌৱা, সৌৱা——"। বেগেৰে মানুহজন তাৰ পৰা গুচি গল। আন্ধাৰ নিশা; কোনোবা পিনে লুকাই পৰিল।

(৮)

দুবছৰ পাৰ হৈ তিনিবছৰত সোমাল। বিমল নাহিল। আৰু অৰুণা? দিনক-দিনে শুকাই খীণাই, শাৰীৰিক আৰু মানসিক যন্ত্ৰণাত অৰুণা আজি খেৰদাল যেন হৈছে। বিমলৰ মাকে চকুৰ পানীৰে বাট নেদেখে; বাপেকে মানুহৰ লগত কথা নকয়। আন সকলোৰে মনত

দুখ। বহুত চেষ্টা কৰিও বিমলৰ কোনো গুংসূত্ৰ উলিয়াব পৰা নাই। অকণাই এতিয়াও বিশ্বাস কৰে বিমল আহিব। আহিম বুলিয়েই তো কৈ গৈছিল; তেন্তে নাহিব কিয়? কিন্তু নাই, আশা লাহে লাহে নিৰাশা হবলৈ ধৰিলে। মনত পৰিল তেতিয়াৰ কথা। ঘোৱা ৰাতি অকণাই সপোন দেখিছিল; বিমল আহি যেন ওচৰতে বহি হাতৰ ওপৰত হাতটো থৈ কথা পাতিছে; কত কথা, কি মধুৰ সেই হাঁহিটো। কিন্তু সি সপোন মাত্ৰ। দিন যায়, ৰাতি আহে, কিন্তু অকণাই যাচেঁ অপেক্ষা কৰি আছে, সি নাহে। অকণা লাহে লাহে হতাশ হবলৈ ধৰিলে। তিন দিনৰ পিছত এটা উৰা বাতৰি ওলাল—দহ মাইল আঁতৰত সিদিনা সন্ধিয়া বিমলৰ নিচিনা মানুহ এজন দেখা গৈছিল; মাতটো বিমলৰ মাতৰ নিচিনা, কিন্তু আন্ধাৰত চিনিব পৰা নগল। অকণাই ভাবিলে কিজানি হয়েই। বিচাৰিবলৈ মানুহ গল। অকণাই ঈশ্বৰক প্ৰাৰ্থনা কৰিলে "হে ঈশ্বৰ, সোনকালে আনি দিয়া প্ৰভু!" * * * পিছদিনা পুৱা দেখা গল, অকণা ঘৰত নাই। গোটেইখন তোলপাৰ লাগিল। বুঢ়া-বুঢ়ী ডেকা-ডেকেৰী সকলো কেউফালে লবিবলৈ ধৰিলে।

(৯)

"ব্ৰহ্মপুত্ৰ, গহীন-গম্ভীৰভাৱে তুমি চিৰকাল বৈ আছা। তুমি পৰশুৰামক মাতৃহত্যা-পাপৰ পৰা মুক্ত কৰিছা। কত তাপীজনক তুমি শান্তি দিছা। তোমাৰ কোলা চিৰশান্তিময়। তেন্তে হে মহানদ, মই তোমাক কাকুতি কৰিছোঁ, মোকো তুমি মুক্ত কৰা, মোকো এই সংসাৰৰ দুখ-যন্ত্ৰণাৰ পৰা ৰক্ষা কৰা, মোকো তোমাৰ চিৰশান্তিময় কোলাত এফেৰি ঠাই দিয়া। মোৰ একো নাই, মোৰ কোনো নাই, এই সংসাৰত একো নাই; তেন্তে কিয় এই সংসাৰত থাকোঁ? আজি মই সকলো শেষ কৰিম, জগতৰ পৰা মোৰ অস্তিত্ব মই নিজ হাতে মচি পেলাম; সকলো গল যেতিয়া মই কিয় থাকিম? কিন্তু হে ব্ৰহ্মপুত্ৰ, তোমাক এটি অনুৰোধ কৰিম; তুমি মোক হাত পাতি লৰা। মোৰ এই জীৱহীন দেহটো সৌখিনিতে লাহেকৈ তুৰাই থৰা। জীৱনৰ আগ ছোৱাত মই দুখ পোৱা নাছিলোঁ। আৰু সেইখিনিতে তোমাৰ কোমল বালুকাৰাশিৰে এটা দৌল সাজি তাৰ ওপৰত মিহি পাতল শিল এছলা দি তোমাৰ পানীৰে তাত লিখি থৰা 'বিমল'। সেই দৌলটো তোমাৰ বুকুৰ মাজত দৈ থাকিবা যাতে কোনো মানুহেই তালৈ আহিব নোৱাৰে। গম, সকলো গল; তেন্তে মই কিয় বৈ আছোঁ? সোঁৱা আকাশত···কিন্তু ই আকৌ কি! চলচলীয়া চন্দ্ৰৰ সৌ মোৰ মাতৃমূৰ্ত্তি! আই, কিয় তুমি আকৌ মোৰ আগত থিয় দিহাহি? দুহাত দাঙি তুমি মোক বাধা দিছা? কিয় আই? কি দোষত? সোঁৱা তোমাৰ কাষত কোন? আপুনিও? আপুনিও বাধা দিছে? কিয়? মোক আক দুখ দিব খুজিছে? মই তো আক সহ্য কৰিব নোৱাৰোঁ। মোক অনুমতি দিয়ক। তুমিও অকণ? ভাবিছিলোঁ—কিন্তু নহল। তুমিও মোৰ লগলৈ আহা অকণ, দুয়ো একে লগে যাম। সোঁৱা চোৱা কেনে সুন্দৰ শান্তিময় ঠাই। তুমিও বাধা দিছা? মোক যাবলৈ নিদিয়া? ইয়াত যে শান্তি নাই! আছে? ক'ত? সঁচা নে আই? সঁচা? সৌবিলাক তোমালোকৰ পাছত কোন? সকলোৱে? লৰা-ছোৱালী সকলোৱে? তোমালোক দুজন আকৌ কিয়? সকলোৱে মোক একবাক্যে হাক দিছা? মোক হাক নিদিবা। মই যাম। সোঁৱা চোৱা কেনে সুন্দৰ! তথাপি বাধা? তোমালোক সকলোৱে চকু মুদা, মই যাম; মোক পাহৰি যোৱা। ব্ৰহ্মপুত্ৰ! হাত মেলি ধৰা মোক, হে মহানদ!"···"কি কৰিব খুজিছে আপুনি? কলৈ যাব? মোক এবি আপুনি কলৈ যাব খুজিছে? ইমান দিন বাট চাই আছোঁ···"

"বোপা অ' বিমল, বুঢ়া বয়সত মাৰক কিয় ইমান দুখ দিছ? বাছা মোৰ·····"

"সৌটো দাদা, মই আগে হাতত ধৰিমগৈ।"

"সঁচা নে? অকণ! আই! সকলো! আহ—"

"ধৰা, ধৰা; ধৰি কোলাকৈ লৈ বলা; মূৰ্চ্ছা গৈছে; বেয়া হব পাৰে। ৰিব-ৰিবকৈ এছাটি শান্ত শীতল বতাহে ক'ৰবাত পৰা কেতেকী ফুলৰ গোন্ধ লৈ আহি ওপৰেদি বই গল; আকাশত তৰাটিয়ে মিচিকিয়ালে; শুভ্ৰ ৰশ্মি উঠিল—'অ' কেতেকী!' দূৰত ব্ৰহ্মপুত্ৰই হাঁহিলে। কোনোবাই কৈ উঠিল "ও শান্তি, শান্তি"।

গান্ধাৰ-ভাস্কৰ্য্য

গান্ধাৰ বুলিলে সাধাৰণতে আজিকালিৰ উত্তৰ-পশ্চিম সীমান্ত প্ৰাদেশক বুজায়। গান্ধাৰৰ লগত ভাৰতৰ চিনাকি বুদি কাৰণবাই আছে,—অন্ততঃ মহাভাৰতৰ দিনৰ পৰা। কুৰুপতি ধৃতৰাষ্ট্ৰে গান্ধাৰ ৰজাৰ জীয়েক গান্ধাৰীক



Woman and the tree motif

এই ছবিটোক গ্ৰীক্ বুলি বৰ্ণাইছে

বিয়া কৰিছিল। শিল্পকলা বিষয়ত গান্ধাৰৰ গৌৰৱ অসীম আৰু অতুলন। কলিকতাৰ ভাৰতীয় যাদুঘৰত সোমালেই এই কথা বুজিবলৈ নিচেই উজু হয়। এই যাদুঘৰৰ বেছি নহলেও আদ্‌খিনি ভাস্কৰ্য্য-নিদৰ্শন গান্ধাৰৰপৰা আনি থোৱা।



বুদ্ধ আৰু দুজনা বোধিসত্ত্ব

যিবোৰ ঠাইৰপৰা গান্ধাৰ-ভাস্কৰ্য্য গোটোৱা হৈছে সেইবোৰৰ ভিতৰত জামাল্‌গৰাই, ছাবিবাজোল, তাখ্‌ত-



(ক)

ই-বাহাই, ছোৱাট উপত্যকা আৰু পেশ্বোৱাৰ জিলা প্ৰধান। গান্ধাৰ-ভাস্কৰ্য্যৰ ওপৰত গ্ৰীক্ ভাস্কৰ্য্যৰ প্ৰভাৱ



(খ)

আছে। ছবিবোৰলৈ মন কৰিলেই এই কথা সহজে বুজিব পাৰি। গ্ৰীক্ ভাস্কৰ্য্যৰ তিনটা ধাৰা—আয়োনিয়ান, ডোৰিক আৰু কৰিন্থিয়ান। কৰিন্থিয়ান ধাৰাৰ লগত



(গ)

গান্ধাৰ-শিল্পকলাৰ মিল আছে। গান্ধাৰৰ শিল্পকলা স্থাপত্য শিল্পকলা নহয়, ভাস্কৰ্য্য শিল্পকলাহে।

গান্ধাৰ-শিল্প বৰ বেছিকৈ সংগৃহীত হৈছে। গোনেৰ ইয়াক সুকীয়াকৈ সংগ্ৰহ কৰিছিল। বহুদিন পিছত



(ঘ)

প্ৰত্নতত্ত্ব-বিভাগৰ ছাৰ জন মাৰ্শালে গান্ধাৰ-শিল্প সংগ্ৰহ কৰে। তেখেতৰ সংগৃহীত বস্তু গোটেই পৃথিৱীত বিয়পি পৰে আৰু গান্ধাৰ-শিল্প জগতৰ এটা আলোচনাৰ বিষয় হৈ উঠে। গান্ধাৰ-শিল্পৰ বয়স উলিয়াব নোৱাৰি। ছাৰ জনে কয় যে কোনো মূৰ্ত্তিতে চন নাই। মূৰ্ত্তিবোৰৰ গঠনৰ ধৰণ কোনটো আগৰ আৰু কোনটো পাছৰ, একো ঠাৱৰ নোৱাৰি।

অনেকে অনুমান কৰে যে গুপ্তবংশীয় ৰজা কনিষ্কৰ দিনত গান্ধাৰ-ভাস্কৰ্য্য ৰচনা কৰা হয়। কনিষ্কৰ তাৰিখ



(ঙ)

সম্বন্ধেও কিন্তু মতভেদ আছে। বাৰ্গনৰ মতে কনিষ্কৰ তাৰিখ ৭৮ খৃঃ। আন কিছুমানে কিন্তু ১২০ খৃঃক হে কনিষ্কৰ তাৰিখ বুলি গ্ৰহণ কৰে। কনিষ্কৰ দিনত বৌদ্ধগ্ৰন্থ মহাযানৰ স্বাধীন সত্তাৰ প্ৰকাশ হয়। মহাগ্ৰন্থ মহাযানে বুদ্ধ-পূজা আৰু বোধিসত্ত্ব-পূজা প্ৰচাৰ কৰে। মহাযানেই বৌদ্ধধৰ্ম

আৰাবণ ধৰ্ম্ম কৰি তোলে। মহাযানত বজ্রযানৰ উৎপত্তি। বজ্রযানৰ উৎপত্তিৰ আগেয়ে বৌদ্ধ-প্ৰতিমাৰ



(চ)

মুখ আঁকিব নোৱাৰে। বৌদ্ধ দেৱতাবাদ বজ্রযানে সৃষ্টি কৰে। এতেকে যেতিয়াৰপৰা বুদ্ধক দেৱতা জ্ঞান কৰি পূজা কৰা হয়, তেতিয়াৰপৰা গান্ধাৰ-ভাস্কৰ্য্যৰ পাতনি। তাৰ আগেয়ে হব নোৱাৰে। সেইবাবে কনিষ্কৰ বয়সেই গান্ধাৰ ভাস্কৰ্য্যৰ বয়স।

ভাৰতীয় ধৰ্ম্মৰ এটা আচৰিত ক্ষমতা আছে। এই ধৰ্ম্মই বিদেশীক স্বদেশী কৰি তোলে। ভাৰতীয় ধৰ্ম্মৰ এই গুণটো বৌদ্ধধৰ্ম্মৰ সময়ত ফটফটীয়াকৈ চকুত পৰে।

উঃ-পঃ সীমান্ত প্ৰদেশত খৃঃৰ ২য় শতিকাত কিম্বা তাৰ অলপ আগেয়ে হেলেনীয় উপনিবেশ এটা গঢ়ি উঠে। এই উপনিবেশটোক বৌদ্ধধৰ্ম্মই ভাৰতীয় কৰি লয়। সেইবাবে গান্ধাৰত আমি সমুদয় শিল্পকলা বুদ্ধৰ সম্পৰ্কে হে পাওঁ। কোনো প্ৰাদেশিক বা সাময়িক শিল্পকলাক এনে কথা সম্ভৱ হোৱা নাই। বৌদ্ধধৰ্ম্ম শৰণীয়া গ্ৰীকসকলে গান্ধাৰ-ভাস্কৰ্য্য ৰচনা কৰিলে। সেই কাৰণে মূৰ্ত্তিবোৰত গ্ৰীক্ শিল্পনীতি সোমোৱাত দেখিবলৈ গ্ৰীকৰ



(ছ)

নিচিনা হ'ল। আৰু যিবোৰ দেখিবলৈ গ্ৰীকৰ নিচিনা সেইবোৰ সিমান পুৱণি। যিবোৰ মূৰ্ত্তি দেখিবলৈ ভাৰতীয়

শিল্পৰ নিচিনা সেইবোৰ পিছৰ কালৰ বচনা বুলি বুজিব লাগিব। 'ক'বপৰা 'ঞ'লৈ এই চিত্রবোৰে তাকেই দেখুৱাইছে। ক, খ, গ, ঘলৈ ভালকৈ চালে দেখা যায় সেইবোৰ তেনেই হেলেনীয়। কিন্তু তাত ভাৰতীয় ভাব পোহৰ পোৱাইছে। ইয়াত কোনো বিশিষ্টতা আৰোপ কৰিব নোৱাৰি, কিন্তু ই এক নতুন ধৰণৰ। ঙ নং ছবি



(জ)

আছে ; ভাৰতীয় ভাব থাকিলেও সি যে বিদেশীয় তাত অকণো সন্দেহ থাকিব নোৱাৰে। ঙ চিত্রৰ গোফ আছে। ই যে ভাৰতীয় তেনে কথা কব নোৱাৰি, কিন্তু গ্রীক্ শিল্পনীতিবপৰাও ই বহু নিলগত। জ নম্বৰ ছবি হেলেনীয় কিন্তু পুৰণিকলীয়া নহয় ; ই কিছু পিছৰ কালৰ বচিত বুলি অনুমান হয়। ঞ নং ছবিয়ে গান্ধাৰ-শিল্পত নতুন



(ঝ)

সাজিব পাৰে, কিন্তু ইয়াৰ ভাব ... ভাৰতীয়। গান্ধাৰ-শিল্পলৈ গ্রীক্ ... দেৱী অহা নাই। পালাচ এথেনিৰ ... এটা অৱশ্যে আছিল। কিন্তু সি ... লবলগীয়া নহয়। বৌদ্ধদৰ্শন ...



(ঞ)

সৌভত পৰি সিও বৌদ্ধ হৈ গৈছিল। আৰু এটা কথা, —গ্রীক্সকলে গান্ধাৰ-ভাস্কৰ্য্য বচনা কৰিলেও ইয়াৰ গান্ধাৰী গঠন ... নাছিল। গান্ধাৰ-শিল্পৰ সেয়ে গুৰি-কথা। 'ঞ' নম্ব

নিভাঁজ ভাৰতীয় ছবি। অৱশ্যে সিও হেলেনীয় হাতেৰে গঢ়া। যোগীৰ ধাৰণা শিল্পীৰ অন্তৰত সোমাব পৰা নাছিল। সেইদেখি অন্তৰৰ ৰূপ শিল্পীয়ে ফুটাই তুলিব নোৱাৰিলে। কিন্তু বাহিৰ ভাগৰ বিখিনি কবি তুলিবলৈ সক্ষম সেইখিনি কৰিছে।

এই মূৰ্ত্তিবিলাকৰ আলোচনা-প্রসঙ্গত আৰু এবাৰ কোৱা যাওক। য়ুবোপীয়সকলে কয় যে, বুদ্ধৰ চুলি থকা কথাটো গ্রীক্সকলে উদ্ভাবন কৰে। এই কথাটো ঠিক নহয়। প্রমাণস্বৰূপে কব পাৰি, কুমাৰ স্বামীয়ে জাতক-নিদানসম কথাবপৰা দেখুৱাইছে যে বুদ্ধ মুৰ খুৰুৱা নহয়। বুদ্ধই যে কোনো অঙ্গেৰে চুলি কাটিছিল আৰু গোটেই মুবটো টকলামুবাকৈ খুৰুৱা নাছিল সেই কথা সকলোৱে জানে। ভাৰতত সেই চুলিৰ স্বৰ্গলোক-যাত্রাৰ দৃশ্য দেখিবলৈ পোৱা যায়। গান্ধাৰ-ভাস্কৰ্য্যই মানুহৰ জীৱনৰ সকলো ঘটনাকে খোদিত কৰিছে।

গান্ধাৰ-ভাস্কৰ্য্যৰ ন-পুবণি বাছি উলিওৱা নিয়ম হৈছে, হেলেনীয় প্রভাৱৰ চিন কম-বেছি লক্ষ্য কৰা। আজি-কালি সাধাৰণতে য়ুবোপীয় পণ্ডিতসকলে কয় যে হেলেনীয় ভাব যিমান বেছি দেখা যায়, কলাহিচাপে, তাৰ ঠাই সিমান ওখ। ভাৰতীয় পণ্ডিতসকলে কিন্তু এই মতৰ পোষকতা নকৰে—তেওঁলোকে ইয়াৰ ঠিক বিপৰীত কথা কয়। ভাৰতীয় পণ্ডিতসকলে বিবেচনা কৰে যে কলাৰ উচ্চতা নির্ভৰ কবে, মূৰ্ত্তিৰ ভাৰৰ অভিব্যক্তিৰ কৃতকার্য্যতাত। আৰু এটা কথা। গান্ধাৰ-ভাস্কৰ্য্যৰ বচকসকল জানো গ্রীক্ বৌদ্ধসকল? বুদ্ধ-মূৰ্ত্তিৰ গুৰি-কথা যোগী। যোগীৰ ভাব-কল্পনা তেনেই ভাৰতীয়। ভিন্-দেশীয় শিল্পীয়ে - ভাৰতীয় যোগীৰ ৰূপ মূৰ্ত্তিত দিব নোৱাৰে। মথুৰা-শিল্পকলা কিছুদিন আগেয়ে গান্ধাৰ-শিল্পৰ ঠাল-ঠেঙুলি বুলি অনুমান কৰা হৈছিল। সুখৰ বিষয়, এই ভ্রান্ত ধাৰণা এতিয়া লোপ পাইছে। মথুৰা-শিল্পকলা নিভাঁজ ভাৰতীয়—গান্ধাৰৰ গোন্ধ তাত নাই।

অসমীয়াৰ বেহা-বেপাৰৰ বাটত অন্তৰায়

—শ্রীযুত জ্ঞাননাথ বৰা, বি-এল

অসমীয়াৰ মূলধন নাই সেই কাৰণে বেপাৰ কবিব নোৱাৰে—এই কথা লোক নিৰন্তৰে কয়। বাস্তৱতে অসমীয়াৰ হাতত মূলধন নাই নে? অৱশ্যে বৃহৎ দোকান পাতিবলৈ বা ডাঙৰ বেপাৰ কবিবলৈ আমাৰ মানুহৰ হাতত ধন নাই। কিন্তু সৰু সৰু দোকান পাতিবলৈ আৰু সৰু সৰু বেপাৰ কবিবলৈ আমাৰ হাতত ধন আছে। বৰ্ত্তমান অসমৰ নগৰে-নগৰে গাৱেঁ-গাৱেঁ অসংখ্য সৰু সৰু বিদেশীৰ দোকান আছে। সেইবিলাক পাতোতে বেছি টকা লগা নাই। কত বিদেশীয়ে লগত মাত্র ঘটা এটি আনি অকণমান দোকান এখন পাতি, ক্রমে ক্রমে তাৰ উন্নতি কবি বৃহৎ দোকান কবিছে। যিবিলাক দোকান নিচেই চুকপীয়া দেখিছিলোঁ, মাত্র এটি খোঁটালী লৈ দোকানীয়ে অকলে অকলে বয়-বস্তু বেচিছিল, সেইবিলাকৰ দুই তিনি বছৰৰ পিছত কলেবৰ বৃদ্ধি হৈছে। এই ঘটনা সদায় আমাৰ চকুৰ আগত হৈ থবিছে। কিমান বিদেশীয়ে অতিশয় সামান্ত বেপাৰ কবি ই গাওঁ সি গাওঁ ঘুবি পিছে ডাঙৰ বেপাৰ কবি গোটেই দেশ অধিকাৰ কবিছে। অসমত উৎপন্ন হোৱা চাউল, মাহ, কপাহ, কুহিয়াৰ, ধান, লা আদি বস্তুবিলাকৰ সৰু সৰু অসংখ্য বেপাৰ আজি বিদেশীৰ হাতত। তেওঁলোকে যি মূলধন ঘটাই হেজাৰ হেজাৰ দোকান পাতি আমাৰ গাওঁ আৰু নগৰ শিপাই পেলাইছে সেই মূলধন অসমীয়াৰ হাতত আছে। যাৰ নাই তেওঁ অনায়াসে সেই ধনৰ দিহা কবিব পাৰে।

অসমীয়া ডেকাই তেনেকুৱা দোকান বা বেপাৰ

করিবলৈ নাওঁগায়। তেওঁলোকে পোনতে ডাঙৰ ডাঙৰ দোকান পাতিব খোজে, তেওঁলোকে বৰ বৰ বেপাৰ হাতত লব খোজে। তেওঁলোকৰ মানত সেই সক সক দোকান দোকান নহয়, সেই সক সক কাৰবাৰ কাৰবাৰ নহয়। সেইবিলাক কৰা লাজৰ কথা বুলি বিবেচনা কৰে। তেওঁলোকক লাগে হেজাৰ হেজাৰ টকা খটাই প্ৰকাণ্ড ঘৰ এটা লৈ দুটা এটা কেৰাণী নিযুক্ত কৰি বৃহৎ দোকান পাতিবলৈ। তেওঁলোকক লাগে হেজাৰ হেজাৰ টকা ঢালি দেশ-বিদেশ ফুৰি বেপাৰ কৰিবলৈ। তেওঁলোকে বেহা-বেপাৰৰ অৰ্থ তাকেহে বুজে। এই ক্ষুদ্ৰ ক্ষুদ্ৰ দোকান দিয়া, এই ক্ষুদ্ৰ ক্ষুদ্ৰ কাৰবাৰ কৰা অতিশয় লাজৰ কথা। আমাৰ ডেকা দলৰ মনত এই ভাব পোন্ধৰ কলাই আছে। ইয়াৰ কাৰণে ডেকাদল মাথোন জগৰীয়া নহয়। আমাৰ সমাজতো এনে ভাব আছে। অমুকৰ লৰাটোৱে কি কৰিছে?—চাউল-বেপাৰী হৈছে। এ সি নো সেই কাম কৰিবলৈ পালে নে? আন কাম তাৰোঁ নিমিলিল নে? অমুকৰ লৰাই ডাকঘৰত কেৰাণী হৈ মাহিলি ২০৲ টকা পাইছে। উত্তম কথা, সি বৰ কাম কৰিলে। ইত্যাদি। চাউল-বেপাৰী হৈ যদি এশ টকাও পায় তথাপি সেই কাম নীচ, তদ্ৰলোকৰ কাম নহয়।

এই ভাব আমাৰ দেশত সৰ্ব্বত্ৰ আছে। শিক্ষিত ডেকাসকলে চকৰীৰ কাম বা আন আন অফিচৰ কাম বিচাৰি বিচাৰি হাঁবাথুৰি খাইছে কিন্তু কেৱে তেনে এখন সক দোকান দিবলৈ আগবঢ়া নাই। কিমান ডেকাই এশটকীয়া কামৰ কাৰণে অফিচৰ বৰমুনীয়াসকলৰ ভবিত ধৰি আৰাধনা কৰিব লগাত পৰিছে, কিমানে তাৰ কাৰণে লাঞ্ছনা পাইছে, কিমানে তেওঁলোকৰ গঞ্জনা খাইছে তাৰ লেখ-জোখ নাই। আমাৰ শিক্ষিত ডেকাসকল তাৰ কাৰণে সাজু, তাত সমুলি লাজ নাপায়; কিন্তু ক্ষুদ্ৰ ক্ষুদ্ৰ দোকান দিবলৈ আৰু বেপাৰ কৰিবলৈ বিষম লাজ পায়। ই দেখোঁতে অদ্ভুত যেন লাগে, কিন্তু আমাৰ দেশত হলে সদায় হবলৈ ধৰিছে।

আমাৰ মানুহে ডাঙৰ ডাঙৰ বেহেকেৰা আৰু ডাঙৰ ডাঙৰ কাৰবাৰী লোক দেখিছে আৰু একেদিনে তেওঁলোকৰ সমকক্ষ হবলৈ মন কৰে। * সেই বেপাৰী আৰু কাৰবাৰ কৰা মানুহে কি অৱস্থাৰ পৰা উন্নতি কৰি তেনে অৱস্থা পাইছে তালৈ সমুলি পাহৰে। কোনো ডাঙৰ বেপাৰীয়েই একেদিনে ডাঙৰ হব পৰা নাই। তেওঁ পোনতে অকণমান দোকান পাতি বা অন্যহ্নপীয়া কাৰবাৰ কৰি বহুত দিন চলাইছিল, তাৰ পিছেহে ডাঙৰ হৈ লক্ষপতি হৈছে। আজি যিবিলাক বৰ বৰ মুদৈয়ে কোটি কোটি টকাৰ কাৰবাৰ কৰি দেশৰ বাণিজ্য অধিকাৰ কৰিছে সিবিলাকৰ প্ৰত্যেকে অকণ অকণ কাৰবাৰ কৰি আৰম্ভ কৰিছিল, মঢলাৰ দোকানীয়ে কোটিপতি হৈ ভাবতৰ এজন মুখ্য বেপাৰী হৈছে। এনে পটন্তৰ অনেক আছে। পৃথিবীৰ মহা মহা ধনৱন্ত কাৰবাৰ কৰা লোকৰ জীৱন-চৰিত মেলি চালে তেওঁলোকে আদিতে কেনে সক বেপাৰ কৰি জীৱন কটাইছিল তাক ফটফটীয়াকৈ দেখা পায়। কোনোৱে সক কাঠৰ বেপাৰ কৰি, কোনোৱে তুকপীয়া কাপোৰৰ দোকান দি, কোনোৱে কাকত বেচি, কোনোৱে তেল বেচি কোটিপতি হৈ দেশৰ বেহা-বেপাৰ হাত কৰিছে। বৰ বৰ বেহেকেৰা মানুহৰ জীৱনত এনেবোৰ অদ্ভুত ঘটনা ঘটিছে। এনে এজন মুদৈ নাপাবা, এনে এজন দোকানী নাপাবা যাৰ জীৱনত এনে ঘটনা হোৱা নাই। কোনো বেপাৰীয়ে, কোনো দোকানীয়ে, কোনো কাৰবাৰী মানুহে তেনে সক সক ব্যৱসায় নকৰাকৈ একেদিনে ডাঙৰ হোৱা নাই। ক্ষুদ্ৰ ক্ষুদ্ৰ কাৰবাৰৰ আলম লৈহে বিৰাট কাৰবাৰলৈ উধাৰ পাৰি। *

অসমীয়া ডেকাই সেই সক সক কাৰবাৰবোৰ নকৰি একেদিনে লক্ষপতি আৰু কোটিপতি হব খোজে। এই কথা হব নোৱাৰে। পৃথিবীৰ আনবোৰ দেশত উন্নতি কৰিবলৈ যি বাট সেই বাট অসমীয়াই লবই লাগিব। তেনেবোৰ সক সক দোকান পাতিবলৈ আৰু কাৰবাৰ

* পৃথিবীৰ আন আন দেশৰ আৰু আমাৰ দেশৰ মুখ্য মুখ্য বেহেকেৰা লোকৰ জীৱন-চৰিত বিশেষ আৱশ্যকীয় হৈ পৰিছে। দুখৰ কথা আমাৰ ভাষাত তেনে চৰিত নাই। কোনো সদাশয় ডেকাই সিবিলাকৰ জীৱন-চৰিত যদি চমুকৈ লিখি বাহিৰৰ আগত প্ৰকাশ কৰে তেন্তে দেশৰ বৰ উপকাৰ কৰা হয়। সাহিত্যিক, বৈজ্ঞানিক, সাধনিক পণ্ডিতসকলৰ জীৱনচৰিত যেনে লাগতিয়াল সিবিলাকৰো জীৱনচৰিত তেনে লাগতিয়াল।

কৰিবলৈ সবহীয়া ধন নালাগে। এশ, দুশ বা তিনিশ টকা মূলধন হলেই সেই কাৰবাৰ হাত কৰিব পাৰি। অসমীয়াৰ হাতত মূলধন নাই—এই কথাৰ অৰ্থ নাই। কোনোৱে কোনোৱে কয়, প্ৰথমে মূলধন কৰা, তাৰ পিছেহে বেপাৰত লাগা। ক'ৰ পৰা মূলধন কৰিব? মূলধন বেপাৰৰে পৰা হয়। অসমৰ বিদেশীবিলাক আহোঁতে কোনে কিমান মূলধন লৈ আছিছিল? তেওঁলোকে ইয়াত বেপাৰ কৰিহে মূলধন ঘটাইছে। যদি মূলধনৰ কাৰণে অসমীয়াই বৰ লাগে, তেন্তে কোনোকালে বেপাৰত হাত দিব নোৱাৰে। অসমীয়াই বেপাৰ নকৰি মূলধন পাব ক'ত? বেপাৰ আৰু কাৰবাৰৰ বাহিৰে মূলধন পাবৰ আৰু ঠাই আছে নে? এই কাৰণে ইয়াৰ অৰ্থ নাই। সক সক বেপাৰ আৰু কাৰবাৰৰ কাৰণে আদিতে যি মূলধনৰ আৱশ্যক হয় তাক অসমীয়াই অনায়াসে পাব।

অসমীয়া ডেকাদলে এই বিষয়ত লাজ সমুলি এৰিব লাগিব। কিছুমান শিক্ষিত ডেকাই যদি জগতৰ সেই বিখ্যাত মুদৈ আৰু বেহেকেৰাবিলাকৰ নিচিনা সক সক কাৰবাৰ কৰিবলৈ আগুৱাই আহে তেন্তে আমাৰ সমাজৰ ভাব পৰিবৰ্ত্তন হব। লাহে লাহে সক দোকান পতা আৰু বেপাৰ কৰা কোনো নীহ কাম নহয় বুলি বুজি পাব। বৰ্ত্তমান অসমীয়া শিক্ষিত ডেকা বহুত আছে। তেওঁলোকে ইনাই বিনাই কুবিছে। তেওঁলোকে এই কাম অচিবে হাতত ললে দেশ বক্ষা পৰে। আমাৰ নিম্ন-প্ৰাইমেৰি পঢ়িব এবা, মাইনৰ পঢ়িব এবা, হাইস্কুল পঢ়িব এবা আৰু কলেজ পঢ়িব এবা ছাত্ৰ শ-শ আছে। তেওঁলোকে যদি ইয়ালৈ মন মেলে তেন্তে আমাৰ দেশৰ বেহা-বেপাৰ আমাৰ হাতলৈ আহিবলৈ সবহ দিন নালাগিব।

সক সক দোকান পতা, সক সক কাৰবাৰ কৰা উজু নহয়, কেৱল মূলধন হলেই যে সেইবিলাকৰ উন্নতি কৰিব পাৰিব এনে নহয়। ইয়াৰ কাৰণে উৎকট পৰিশ্ৰম কৰিব লাগিব আৰু ধৈর্য্য ধৰি একাগ্ৰমনে কাম কৰিব লাগিব। বহুত সময়ত নিৰুৎসাহৰ কাৰণে দেখা দিব কিন্তু তাত মন টলিব দিব নালাগে। আচল বেহেকেৰা মানুহে সেই-বিলাক বিপদ্-আপদলৈ সাজু হৈ থাকে। তেওঁলোকৰ বেপাৰ কেতিয়াবা বঢ়েয়া হয়, কেতিয়াবা কলধপ-কলধপকৈ জীয়াই থাকে, কেতিয়াবা একেবাৰে লোপ পায়। কিমান বেপাৰী কেতিয়াবা কোটিপতি হৈছে, কেতিয়াবা সর্ব্বস্বান্ত হৈছে। বেহা-বেপাৰত উঠন-পতন সদায় হবই ধৰিছে। বেপাৰী হব খুজিলে সেইবিলাক ভয় মনৰ পৰা আঁতবাই লাগিব। আচল বেপাৰীয়ে সর্ব্বস্বান্ত হৈও আকৌ বেপাৰত হুণ্ডণ উৎসাহে লাগি যায় আৰু পুনৰ আগৰ অৱস্থা পায়। আমাৰ মানুহে বেপাৰলৈ নাওঁগায়, যদিবা কাচিৎ কোনোবাই দোকান পাতি বা বেপাৰ কৰি সর্ব্বস্বান্ত হয় তেৰঁ পটন্তৰ সদায় দেখুৱায়। যেতিয়াই লোকে বেপাৰ কৰিবলৈ আগবাঢ়ে যেতিয়াই সেই মানুহজনক আঙুলিয়াই বেপাৰ নকৰিবলৈ পৰামর্শ দিয়ে। এবাৰ ভাবি নাচায় যে বেপাৰ বুলিলেই উঠন-পতন আছেই। যিবিলাক দেশত বেহা-বেপাৰৰ বিপুল ব্যৱহা আছে, তাতো সদায় উঠন-পতন হবলৈ ধৰিছে। ইউবোপ-আমেৰিকাত কিমান দোকান কিমান কাৰবাৰ পতন হৈ লয় পাইছে তাৰ আদি-অন্ত নাই। সেই বুলি বেপাৰ-বাণিজ্য নকবাকৈ বহি আছে নে? অসমীয়া ডেকাই বেপাৰ হাতত লব খুজিলে এনেবোৰ বিপদ্-আপদলৈ প্ৰস্তুত হব লাগিব। আমাৰ চকুৰ আগতে কিমান বিদেশী পৰি পৰি উঠিছে। এইটো বেপাৰৰ বীতি। আমাৰ মানুহে কৈতিয়াও সেই সর্ব্বস্বান্ত লোকৰ উদাহৰণ দেখুৱালে পাছ হুহকৈ নালাগে। কাৰণ তাৰ কোনো অৰ্থ নাই।

বেহা-বেপাৰত ইটোৱে সিটোক বিশ্বাস কৰা বৰ আৱশ্যক। এই গুণ নাথাকিলে বেপাৰত উন্নতি কৰিব নোৱাৰি। আমাৰ বহুত দোকান আৰু বহুত বেপাৰ এই গুণ নথকাত লয় পাইছে। যিবিলাক মানুহক দোকান বা বেপাৰ চলাবলৈ বখা হয়, সিবিলাকৰ প্ৰপৰত বহুত কথাত নির্ভৰ কৰিব লগাত পৰে। তেওঁলোকে সেই বিশ্বাস বাখিব নোৱাৰে, মনে মনে টকা খাই দোকান মালি পেলায়, বেপাৰ ধ্বংস কৰে। এই নিমিত্তে আমাৰ ভিতৰত বিশ্বাসী মানুহ পোন্ধা বৰ টান হৈছে। এই বিধ মানুহৰ অভাৱত আমাৰ দোকান বা বেপাৰে বহুত সময়ত

গা কৰিব নোৱাৰে। কিন্তু যিবিলাক মানুহ পুৰুষানুক্ৰমে বেপাৰী তেওঁলোকৰ ভিতৰত এই দোষ অতি কম।

কেঞাসকলৰ ভিতৰত তেনে বিশ্বাসী মানুহ বহুত আছে। তেওঁলোকে পৰস্পৰ বিশ্বাস কৰে। ইটোৱে সিটোক ঠগাবলৈ কেতিয়াও চেষ্টা নকৰে। কাৰণ, বেপাৰৰ উদ্গতি এই গুণৰ ওপৰত ঘাইকৈ নিৰ্ভৰ কৰিছে। যদি পৰস্পৰ অবিশ্বাস কৰে তেন্তে কোনো বেপাৰ তিষ্ঠিব নোৱাৰে। এই গুণ এটা সুকীয়া বস্তু। ই বেহা-বেপাৰত হে ওপজে। বেপাৰ-বাণিজ কৰোঁতে কৰোঁতে এই গুণে দেখা দিয়ে। বেহা-বেপাৰত যেনেকৈ ধনৰ সৃষ্টি হয় তেনেকৈ এই গুণৰো উদ্ভৱ হয়। বেপাৰত বিশ্বাসী মানুহ হলেই যে আন আন বিষয়তো বিশ্বাসী হব এনে কথা নহয়। এজন আন আন কথাত মিছলীয়া প্ৰবঞ্চক হব পাৰে কিন্তু বেহা-বেপাৰত সদায় সত্যবাদী আৰু বিশ্বাসী হব পাৰে। আমাৰ মানুহে এই কথা তং কৰি চাব লাগে। আগেয়ে বিশ্বাসী মানুহ বিচাৰ কৰা তাৰ পিছে বেপাৰ কৰা—এই কথা হব নোৱাৰে। যি মানুহ হাতত পোৱা যায় তাৰেই দোকান আৰু বেপাৰ চলাব লাগিব। বহুত দিনৰ বেপাৰৰ পিছত এদল বিশ্বাসী মানুহ আপোনা-আপুনি ওলাই আহিব। পোনতে বহুত অসুচল হব সঁচা কিন্তু তাৰ উপায় নাই। আমি সেই বুলি বহি থকা উচিত নহয়।

আমাৰ অসমীয়াৰ মাজত বৰ্ত্তমান আন্দোলন লাগে। অসমীয়াই অসমীয়াক সহায় নকৰিলে বেহা-বেপাৰ কৰিব নোৱাৰি। অসমীয়াৰ মাজত পৰস্পৰ সহায় কৰা যে বৰ আৱশ্যক হৈছে তাক গাৱেঁ-গাৱেঁ নগৰে-নগৰে বুজাব লাগিব। অসমীয়াই দোকান পাতিলে, অসমীয়াই বেপাৰ কৰিলে আনবিলাকে সৰ্ব্বপ্ৰকাৰে সহায় কৰিব লাগিব—এই ভাবৰ জাগৰণ হব লাগিব। এই আন্দোলন কি প্ৰকাৰে চলাব লাগিব তাক এই প্ৰবন্ধত লিখা নাযায়। মুঠকথা, এই আন্দোলন কৰা টান কাম নহয়। প্ৰত্যেক অসমীয়াই দেখিছে, বিদেশীয়ে কেনেকৈ দেশৰ ধন নিতৌ নিব ধৰিছে, প্ৰত্যেক অসমীয়াই দেখিছে তেওঁলোকৰ হাতত বেপাৰ নাই। এই আন্দোলনত পৰস্পৰ সহায় কৰাৰ ভাব দেশময় হলে দোকান পতা আৰু বেপাৰ কৰা বহুত উজু হৈ পৰে। যেতিয়া এই আন্দোলনত অসমীয়া বাইজে একত্ৰ হৈ বেপাৰত উদ্গতি কৰোঁ বুলি আগুৱাব, তেতিয়া অসমীয়া ডেকাই নিজৰ ধন খটাই কিম্বা আনৰ পৰা ধাৰ-ঋণ কৰি ধন আনি তাক খটাই ঠায়ে ঠায়ে দোকান পাতিব আৰু ঠায়ে ঠায়ে বেপাৰ কৰিব।

এজনৰ হাতত ধন নহলে কেইবাজনে গোট খাই কাৰবাৰ চলায়; তাক যুটীয়া কাৰবাৰ বোলে। এই কাৰবাৰ চলাবলৈ ভিন্ন ধৰণৰ শিক্ষা লাগে। এই শিক্ষা পায় সেইবিলাক কাৰবাৰ কৰিহে। আগেয়ে শিক্ষা পাব নোৱাৰে। পানী নহলে যেনেকৈ সাঁতোৰ শিকিব নোৱাৰি, বেপাৰ-বাণিজ নহলে তেনেকৈ এই শিক্ষা লাভ কৰিব নোৱাৰি। সি যি কি নহক আদিতে আমি সেই সৰু সৰু দোকান আৰু সৰু সৰু বেপাৰবোৰহে হাতত লব লাগে; তাৰ পিছেহে যুটীয়া কাৰবাৰলৈ মন মেলিব লাগে।

আজিকালি বহুত বিদেশীয়ে ভাৰত, আমেৰিকা আৰু ইংলণ্ডৰ ডাঙ্গৰ ডাঙ্গৰ কোম্পানিৰ এজেণ্ট হৈ অসমত কেৰাচিন তেল, পেট্ৰল, কাপোৰ, জোতা, চিগাৰেট আদি বস্তুবিলাকৰ বেপাৰ চলাই আমাৰে পৰা লক্ষ লক্ষ টকা নিতৌ নিব ধৰিছে। এই এজেণ্টৰ কাম অসমীয়াই লব নোৱাৰে কিয়? ইয়াৰ নিমিত্তে বহুত টকা লাগে। অসমীয়াৰ হাতত সেই পৰিমিত টকা নাই। এক লাখ, পঞ্চাশ হাজাৰ, ত্ৰিশ হাজাৰ, বিশ হাজাৰ টকা চিকিউৰিটি দি অসমীয়া ডেকাই এই কাম হাতত লব নোৱাৰে। ইয়াৰ উপায় নাই নে? যদি অসমীয়া ধনী লোকসকলে তেওঁলোকৰ ধন চিকিউৰিটি দি কিছুমান উদ্যোগী অসমীয়া ডেকাক সহায় কৰে তেন্তে একেদিনে সেই এজেণ্টবিলাক অসমীয়া হয়। এই কাৰ্য্যত তেওঁলোকৰ কোনো ক্ষতি নাই, তেওঁলোকৰ টকা নেহেৰায়; তেওঁলোকে টকাৰ বাঢ়ি আগৰে নিচিনা ৰীতিমতে পাব। তেওঁলোকে মাথোন বেঙ্ক-চিকিউৰিটি দি কেইজনমান উপযুক্ত শিক্ষিত ডেকাক সহায় কৰিব লাগে। অসমীয়াই পৰস্পৰ সহায় কৰিলে এই কাম হাতত লোৱা তেনেই উজু হৈ পৰে। অসমীয়াৰ যি কেইঘৰৰ লক্ষ লক্ষ টকা বেঙ্কত আছে,

তেওঁলোকে অলপ সহায় কৰিলে এই কাম অসমীয়াৰ হাতলৈ আহে অথচ তেওঁলোকৰ কোনো প্ৰকাৰে ক্ষতি নহয়।

আজি-কালি জীৱন-বীমাৰ এজেণ্ট হৈ জীৱিকাৰ বাট উলিয়াব পাৰি। দুখৰ কথা ইও আমাৰ হাতত নাই। অসমীয়াই পৰস্পৰ সহায় কৰিলে এই কাম হাতত লোৱা তেনেই উজু হৈ পৰে। আমাৰ শিক্ষিত ডেকাদলৰ প্ৰায় দুশমানে ভাত মোকলাবলৈ ঠাই পায়।

আজিকালি উদ্যোগী শিক্ষিত ডেকাৰ সংখ্যা বহুত হৈছে। এই সময়ত আমাৰ মাজত আন্দোলন চলালে অসমীয়াই এইবিলাক কাম হাতত লব পাৰিব। আমাৰ ডেকাৰ অনুষ্ঠানবিলাকে আন কাম এৰি এই কামত লাগিলে আমাৰ দেশে উদ্ধাৰ পায়, নহলে আমাৰ মৰণ নিশ্চয়। যদি সিবিলাকে আন্দোলনেৰে গোটেই দেশ খলক লগায় তেন্তে সেই সৰু সৰু দোকান আৰু সৰু সৰু বেপাৰ হাত কৰাৰ লগে-লগে আমাৰ উপযুক্ত শিক্ষিত বহুত ডেকাক বিদেশলৈ কল-কাৰখনাৰ কাম কৰিবলৈ পঠাব পাৰোঁ আৰু তেওঁলোক উলটি আহিলে কল-কাৰখনা স্থাপন কৰি দেশ জয়-জয় ময়-ময় কৰিব পাৰোঁ।

এই আটাইবিলাক নিৰ্ভৰ কৰিছে আমাৰ ডেকাদলৰ ওপৰত। ইয়াৰ কাৰণে বৰ্ত্তমান উপযুক্ত সময়। আৰু পলম কৰিলে আমি তেনেই বিদেশীৰ হেঁচাত সেও খাম, আমাৰ থিয় হবলৈকে গাত শক্তি নাথাকিব। অসমৰ যিপিনে চোৱা সেইপিনে বিদেশীয়ে আগুৰি ধৰিছে। লক্ষ লক্ষ বিদেশীয়ে দোকানৰ জাল পাতি, গোটেই বেহা-বেপাৰ হাত কৰি সদিয়াৰ পৰা ধুবুৰীলৈ ছাটি পৰিছে—যেন ভয়ঙ্কৰ দৈত্য এটাই আমাৰ দেশ এফালৰ পৰা গ্ৰাস কৰি আহিছে। যদি আমি এতিয়া বেহা-বেপাৰলৈ পিঠি দি আমাৰ উৎসাহ, আমাৰ উদ্যম আন বিষয়ত খটাওঁ তেন্তে অসমীয়াৰ অস্তিত্ব অচিৰে নাইকিয়া হব, তাৰ কোনো সন্দেহ নাই।

আশীৰ্ব্বাদ

গল্প—

—শ্ৰীযুত চন্দ্ৰকান্ত বৰকাকতী

সাজ লাগোঁ লাগোঁ। হাজৰিকাৰ ঘৰত সকলোৱে আজি উৎকণ্ঠিত হৈ বাট চাই আছে, কেতিয়া ভুবন জিলাৰ পৰা পায়হি। হাজৰিকানীয়ে লৰা-ছোৱালী কেইটাৰেসৈতে পাছ চোঁতালত কঠ এখনত বহি কাণ পাতি শুনিছে, মটৰৰ ধপ্‌ধপনি কিমান দূৰত। হাজৰিকাই আগফালে চৰাঘৰৰ মুখতে বৰপীৰা এখনত বহি ওচৰ-চুবুৰীয়া কেজন-মানেৰে সৈতে কথা পাতিছে, বিশেষকৈ জাতীয় আন্দোলনত পুলিচে সত্যাগ্ৰহীসকলক গ্ৰেপ্তাৰ কৰাৰ কথাই হৈছে সৰহভাগ। এনেতে ধপ্‌-ধপ্‌ শব্দ কৰি এখন মটৰ টেক্সি আহি তেওঁলোকৰ দুৱাৰমুখত থিয় দিলে। হাজৰিকাৰ চকু মটৰৰ পিনে। হাজৰিকানীয়েও সতৃষ্ণনয়নে মটৰৰ ফালে মুখ কৰি চকোৱাৰ সিবাগে থিয় দিলেহি।

বিষণ্ণমনেৰে ভুবন মটৰৰপৰা নামি চৰাঘৰৰ মুখ পালেগৈ। উৎকণ্ঠিত হৈ হাজৰিকাই সুধিলে—কিমান দিন হল?

ভুবনে সঙ্কোচভাবেৰে লাহে লাহে কলে—ছমাহ।

হাজৰিকাই সুধিলে—সশ্ৰম নে বিনাশ্ৰম?

ভুবনে কলে—বিনাশ্ৰম।

হাজৰিকাই কলে, উঃ! আমাৰ ইয়াক দেখোন পূৰা ছমাহ দিলে! অইনক দেখোন দুই তিনি মাহৰ ওপৰ দিয়া নাই বুলি শুনিছোঁ। মই ভাবিছিলোঁ, দুই-তিনি মাহমানহে দিব বুলি। দেখোন একেবাৰেই দবাই থলে।

ভুবনে কলে, নথব কিয়? হাকিমে ৰায় দিওঁতে

কৈছিল, ধৰণী হৈছে সেইদলৰ নেতা বোলে। সেইহে তেওঁক পূৰা ছমাহ দিলে।

হাজৰিকাই কলে, অ' তাক নেতা বুলি ধৰি ললে; বাৰু হ'ক, বেজাৰ কৰিলে নো কি হব! যাৰ যিমান দিন কপালত লিখা আছে, তাক কোনে খণ্ডাব! চুৰ কৰি ফাটেকত পৰিলেহে মনত বেজাৰ লাগে। দেশৰ কাৰণে ফাটেকত পৰিলে গৌৰৱ হে বাঢ়ে। তেনেহলে আজি মাঘৰ ১২ তাৰিখ, আগত শাওণৰ ১২ তাৰিখেহে খালাছ হব।

ভুবন লাহে লাহে সিহঁতৰ ঘৰমুৱা হল। ওচৰ-চুবুৰীয়া কেইজনেও ঘৰলৈ খোজ ললে। হাজৰিকা উঠি ভিতৰ-চোঁতাল পালেগৈ। হাজৰিকানীয়ে ওচৰ চাপি আহি কলে, মই তাক তেতিয়াই হাক দিছিলো নহয়। সি এইবাৰ পূজাৰ বন্ধত ঘৰলৈ আহোঁতে মোক কৈছিল, গান্ধীৰ ভলণ্টিয়াৰ হম বুলি। মই তাক কত শপত-শাতি দি পঠালো, সেইবোৰ গন্দগোল নকৰিবলৈ, সি নুশুনিলে। ভনীয়েকৰ বিয়াখন আগত আছে, সি নো বাৰু সেইখিনিও ভাবি চাব নাপায় নে? গান্ধী নহয় যেনিবা লৰাহঁতৰ কালহে আহিল! ক'ৰ নো ইংৰাজক খেদি দেশখন লবগৈ, কেতিয়াবা সোপাকে বৰতোপ দি মাৰি থব, সেয়েহে হব আৰু। হাজৰিকানীয়ে ৰিহাৰ আঁচলেৰে চকুলো মচিলে। হাজৰিকাই গহীন হৈ কলে, তুমি কান্দিছা কিয়? তোমাৰ পুতেৰাহে ফাটেকত পৰিছে নে? আৰু অইনৰ লৰা পৰা নাই জানো? শই শই হেজাৰে-হেজাৰে ডেকা ফাটেকলৈ গৈছে, আমাৰ তো অকলে যোৱা নাই নহয়, তাতে বেজাৰ কৰিবলৈ। দেশৰ কাৰণে ফাটেকত পৰা ভালৰ কথাহে, মনত আনন্দহে কৰিব লাগে। যোৱা, এইবোৰ কথা মই ভাল নাপাওঁ। তুমি বৰ অবুজ।

হাজৰিকানীয়ে কলে, এৰা, মই হে অবুজ! অত টকা-পইছা খৰছ কৰি পঢ়াই-শুনাই, ভৰ-বতৰত পাৰত নাওখন ডুবালে। ফাটেকত পৰিল যেতিয়া চিৰকাললৈকে বদনামী হল। লোকৰ লৰাই কামত সোমাই ডাঙৰ মানুহ হল, আমাৰহে সোপাই এনেয়ে গল!

হাজৰিকাই কলে, হেৰা তুমি নিতান্ত তিৰীমতি। চাকৰি কৰিলে হবলা মানুহ বৰ-মানুহ হয়! মোৰ পোৱে চাকৰি কৰক বা নকৰক, তথাপি মোৰ নাম ক'ত হেৰাব! হাজৰিকা বুলি তো মোৰ নিজৰ মান আছেই, তদুপৰি খেলৰ ভিতৰতো সজোৱা পাতখন ময়েই আগেয়ে পাওঁ। সিমানৰ ওপৰত নো আৰু তোমাক কি বৰ ৰাজপাটখন খাই দেখুৱাব লাগে? তুমি দেখা নাই নে, গাৱঁৰ মানুহবোৰে মোৰে সৈতে কথা পাতোতে কেনেকৈ ভয় ৰাখি কথা কয়?

হাজৰিকানীয়ে কলে, বাৰু সেইবোৰ পাইছোঁ এতিয়া। আইকণৰ বিয়াখন নো এতিয়া কেনেকৈ পাতো, আগ-পাছেই নো কৰে কোনে; দিহা পোহাকে নো দিয়ে কোনে? তাক নো ফাটেকত থৈ কোনটো মনৰ সুখত বিয়াখন পাতো?

হাজৰিকাই কলে—ওঁহো ওঁহো, সেইবোৰ তুমি আসোঁৱাহ উলিয়াই নাথাকিবা। শুভকাৰ্য্য শীঘ্ৰে হৈ যাওক। নাই নাই সি, সেই বুলি আৰু বিয়া নহৈ থাকিব নে? বিয়া হোঁহকাব নোৱাৰো, মানুহৰ লগত অখাতিৰ হব লাগিব। গাখীৰ-পানীৰ বইনা নিবলৈ মানুহ অহাৰ কথা আছেই। এতিয়া আৰু বিয়া বন্ধ কৰিলে দৰাঘৰৰ আৰু আমাৰো বহুত ক্ষতি হব। বিয়ালৈ মুঠেই মাজতে একুৰি সাতদিনহে আছে তেও। তুমি বেজাৰ নকৰিবা, সি নালাগে বিয়াত থাকিবলৈ, ঈশ্বৰে মাথোন তাক ভালে ৰাখক।

হাজৰিকানীয়ে কলে, উঃ! আপুনি বৰ কাঠচিতীয়া, তাক ফাটেকত থৈ ভাল আপুনি বিয়া পাতিবলৈ ওলাইছে।

হাজৰিকাই কলে, তিৰুতাৰ কথামতে চলিলে কথা কিবাহে হব! মই সেইবিলাক একো নুশুনো, বিয়া হবই লাগিব।

হাজৰিকানীয়ে দীঘল হুমুনিয়াহ এটা কাঢ়ি কলে—আপোনাক নো কোনে ভঙাব পাৰে! আমাৰ কথা আপুনি শুনা মানুহ নে? যি মন যায় তাকে কৰি থাওক। এই বুলি কৈ উচাট মাৰি ৰান্ধনি-ঘৰৰ ভিতৰ সোমালগৈ।

—২—

নামৰূপ গাৱঁৰ ভিতৰত বলোৰাম হাজৰিকা এজন গণ্যমান্য মানুহ। নগৰৰ পৰা তেওঁলোকৰ ঘৰলৈ ১০ মাইলমান হব। তেওঁৰ একমাত্ৰ পুতেক ধৰণীয়ে কলেজত তৃতীয় বাৰ্ষিক শ্ৰেণীত পঢ়িছিল। কলেজৰ দুৱাৰমুখত পিকেটিং কৰা অপৰাধত তাৰ ছমাহলৈ ফাটেক হল। আগত ফাগুনৰ ১২ তাৰিখে ভনীয়েকৰ বিয়াৰ দিন ধাৰ্য্য হৈছিল। ধৰণী বিয়াৰ এমাহ আগতে ফাটেকত পৰিল। মাকে পুতেকৰ অনুপস্থিতিত বিয়া নাপাতিবলৈ ওপৰত উনুকিওৱা মতে এখন চূৰ্চুৰীয়াকৈ দন্দো কৰিলে। কিন্তু ফলাফলহে একো নহল। বিয়া পাতিবলৈ বাপেক দৃঢ়-সংকল্প হল।

তিনদিনৰ দিনা হাজৰিকাই জিলা কংগ্ৰেছ কমিটিৰ চেক্ৰেটাৰীৰ পৰা পুতেকক দিবলৈ বুলি কেইখনমান কাপোৰ আৰু দুজোৰমান চোলা-চুৰিয়া খুজি পঠিওৱা এখন চিঠি পালে। পানী লাগি হাজৰিকাৰ গা অলপ অসুখ হৈছিল; গতিকে কাপোৰ কেইখন দি ভুবনকে জিলালৈ পঠাবলৈ বুলি পিছদিনা ৰাতিপুৱালৈ বাট চালে।

পিছদিনা পুৱাতে ভুবনক দুটামান খুৱাই-বুৱাই এখন মটৰত তুলি, পুতেকলৈ বুলি কাপোৰ-কানিৰ টোপোলাটো দি পঠালে। হাজৰিকাই নজনাকৈ হাজৰিকানীয়ে ভুবনক কৈ পঠালে, ডাঙৰ বোপাক কৰিগৈ সি নহলে বিয়াখন পাতিব নালাগে বুলি বাপেকলৈ যাতে কৈ পঠিয়ায়। হাজৰিকা-হাজৰিকানীয়ে পুতেকৰ শুভ-সংবাদ পাবলৈ বুলি গধূলি পৰলৈ অপেক্ষা কৰিলে। মনত এনেহে ভাব হৈছিল, কেতিয়া নো গধূলি হয়।

সন্ধ্যাৰ সময়ত ভুবন জিলাৰ পৰা আহি ঘৰ পালে। হাজৰিকাই দেখা পায়েই সুধিলে, সি কিবা কৈছিল নে ভুবন? ভুবনে কলে—এখন চিঠি দিছে আৰু আইকণৰ বিয়াখন ফাগুনতে হৈ যাব লাগে বুলি কৈ পঠাইছে। এইখন নিয়ক। বুলি চিঠিখন হাজৰিকাৰ হাতত দিলে। হাজৰিকাই চিঠিখন হাতত লৈ ভুবনক সুধিলে, তাৰ মনত ৰং দেখিলি নে?

ভুবনে কলে—ৰং তো! শ-শ লৰাই একেলগে খাবলৈ-শুবলৈ পাইছে যেতিয়া ঘৰলৈ আৰু ক'ত মনত পৰে!

হাজৰিকাই মিচিককৈ হাঁহি কলে—এৰা, এৰা, ডেকাৰ ডেকা-মন নহয়। ভুবন ঘৰলৈ গল, হাজৰিকাই চিঠিখন মেলি পঢ়িবলৈ ধৰিলে। চিঠিখনত লিখিছিল—

শ্ৰীচৰণ কমলেষু,

দেউতা, মোৰ সেৱা গ্ৰহণ কৰিব। আপোনাৰ অনুমতি নোলোৱাকৈ দেশমাতৃকাৰ আহ্বান উপেক্ষা কৰিব নোৱাৰি, জাতীয় যুদ্ধত জপিয়াই পৰিলো। পৃথিবীৰ সৰ্ব্বশ্ৰেষ্ঠ মানৱ মহাত্মা গান্ধীৰ ঈঙ্গিতত আজি ভাৰতৰ জনশক্তি টলমল, বিশেষকৈ যুৱশক্তি। গতিকে সেই মহাপুৰুষৰ বাণীৰ সত্যতা হৃদয়ঙ্গম কৰিব পাৰিয়েই ক্ষুদ্ৰ শক্তিৰেও পৰ্ব্বত প্ৰমাণ প্ৰবল প্ৰতিদ্বন্দীৰ সমুখত থিয় হবলৈ হৃদয়ত বল পাইছো। সত্যৰ অনুৰোধত কেতিয়াও বহি থাকিব নোৱাৰি। আপুনি জ্ঞানী, নিজেই সকলো বুজে। আশা কৰো, আপুনি নিজগুণে, মোৰ যদি কিবা দোষ হৈও থাকে, ক্ষমা কৰিব।

আইকণৰ বিয়া ওচৰ চাপি আহিল। বিয়াত মই থাকিবলৈ সুবিধা নাপালো, বোধকৰো সেইটো ভগৱানৰ ইচ্ছা নহয়, সেইবাবে বেজাৰ নকৰো। শ্ৰীযুতা মাতৃদেৱীয়ে মোৰ অনুপস্থিতিত বিয়া নাপাতিবৰ কাৰণে বৰ চেষ্টা কৰিছে বুলি শুনিলো। সেইটো কেতিয়াও হবলৈ নিদিব। শুভকাৰ্য্য হৈ যোৱাই ভাল। মই থকা নথকা সমান কথা। মোৰ হৈ সকলো কাম ভুবনেই কৰিব পাৰিব। আইক বেজাৰ কৰিবলৈ হাক দিব। আইকণৰ বিয়াত যাতে এডোখৰো বিদেশী কাপোৰ ব্যৱহাৰ নকৰে দৰাঘৰলৈ সেইবাবে এতিয়াই খবৰ দিব। বিয়াখন যিমান দূৰ সম্ভৱ সাত্বিকভাৱে কৰিবলৈ চেষ্টা কৰিব। আইকণৰ যৌতুকত এটা যতৰ, এটা নেওঠনী, এখন তাঁতশাল যেনেতেনে দিব। এই কেইটা বস্তু মহাত্মাই নিজে দিয়া বুলি ভাবিব, কাৰণ এইবিলাক প্ৰায় হেৰাইছিলেই; সেই মহাপুৰুষেহে ইয়াক আকৌ উদ্ধাৰ কৰি সৰ্ব্বসাধাৰণক দান কৰিছে। বিশেষ কি লিখিম, ঈশ্বৰে ভালে-কুশলে ৰাখিলে ছমৰহা

মুকত ঘৰ পামগৈ। আই আৰু আপুনি মোৰ সেৱা গ্ৰহণ কৰিব। আজিলৈ ইমানতে সেৱা জনালো। ইতি—

সেৱকাধম—শ্ৰীধৰণী

হাজৰিকাই চিঠিখন পঢ়ি ভিতৰলৈ গৈ বৈণীয়েকক মাত দিলে, হেৰা শুনিছা নে, বোপাৰ মাক! পুতেকাই এইখন কি চিঠি দিছে, চোৱাছি! বৈণীয়েকে উগাতু থাই আহি কলে, চাওঁ কোনখন মাতকচোন বাক কি লিখিছে। হাজৰিকাই চিঠিখন পঢ়ি বৈণীয়েকক কলে, এতিয়া একা!

হাজৰিকানীয়ে কলে, এবা নহব কিয়! বাপেক চাইছে পুতেক। বাপেক যেনে কাঠফিটীয়া পুতেক আৰু তাতোকৈ একাচি চবাহে।

হাজৰিকাই হাঁহি হাঁহি ভিতৰ সোমাল।

—০—

লাহে লাহে জাতীয় আন্দোলনে জীবন আকাৰ ধৰিলে। ডেকাসকলে ছবকাৰৰ আইন অমান্য কৰি দলে দলে জেললৈ যাবলৈ ধৰিলে। অতি অলপ দিনৰ ভিতৰতে ভাৰতৰ সকলো জেলখানা সত্যাগ্ৰহী বন্দীৰে পৰিপূৰ্ণ হল। নতুনকৈ গ্ৰেপ্তাৰ কৰা সকলক থবৰ কাৰণে স্থানাভাৱ ঘটিল। ছবকাৰ বাহাদুৰে উপায়ান্তৰ নাপাই এক অভিনব পন্থা আবিষ্কাৰ কৰিলে। এনে ব্যৱস্থা কেতিয়াবা কোনোবা দেশত হৈছিল নে নাই কব নোৱাৰি। তেওঁলোকে সত্যাগ্ৰহীসকলক বাধিবৰ কাৰণে সাধাৰণ কয়েদীবোৰক অকালতে মুক্ত কৰি দিলে। তথাপি তেওঁলোকৰ পক্ষে পৰ্য্যাপ্ত পৰিমাণে ঠাই কবাটো অসম্ভব হৈ উঠিল।

হঠাৎ এদিন থবৰ ওলাল চবকাৰে মহাত্মা গান্ধীকে প্ৰমুখ্য কৰি প্ৰায় ষাঠিজন ৰকিং কমিটিৰ নেতাক বিনাচৰ্ত্তে মুক্তি দিছে আৰু তেওঁলোকেবে নৈতে এটা সুমীমাংসাত উপনীত হবলৈ সাদবে আহ্বান কৰিছে। সংবাদটো প্ৰচাৰ হোৱা মাত্ৰেই সমগ্ৰ ভাৰতত এটা আশাৰ বেখা বিবিঙি উঠিল। সকলোবে মুখে মুখে হল, বাজনৈতিক বন্দীসকলে অতি শীঘ্ৰে মুক্তি পাব। চবকাৰৰ চাবিবেৰৰ ভিতৰত কাবাক্লেশ ভুগী থকা প্ৰায় আঠাইশ হেজাৰ বন্দীয়ে একাগ্ৰভাৱে বাট চাই বল, জেনেবেল এম্‌নোই কেতিয়াকৈ হয়। হাজৰিকা-হাজৰিকানীয়ে থবৰটো পাই মনলৈ কিছু আশ্বস্তি আনিলে।

—৪—

হাজৰিকাৰ ঘৰত জীয়েক আইকণৰ বিয়াৰ মুহ পৰি গল। নিৰ্দ্দিষ্ট সময়ত জোবণ পিন্ধোৱা হৈ গল। হাজৰিকানীৰ মনত শান্তি নাই, ববপুতেককৰ জেলত বৈ কোনটো মনৰ সুখতনো জীয়েকৰ বিয়া পাতে। মন অসুখ-অশান্তিৰ লগত গঞা মানুহৰ থকা-খুৱা লগ লাগি কোনোমতে হাই-উকমিৰ মাজত সন্ধ্যা হওঁ হওঁ হল। হাজৰিকানী এফালে পুতেক জেলত থকা বেজাৰত আৰু আনফালে জীয়েকক উলিয়াই দিয়া বেজাৰত কান্দি কান্দি অস্থিৰ। মাজে মাজে মুকত তেল-টেঙা দিব নহীয়া হৈছিল। হাজৰিকানীয়ে চকুৰ আগতে দেখিছিল, এফালে পুতেককৰ আৰু আনফালে জীয়েকক।

আইকণো কান্দিকাটি হাৱাল। এই হেন দিন এটাত, নিজৰ ঘৰ এৰি পৰৰ ঘৰলৈ যাবৰ সময়ত, এবাৰ মাকৰ ভৰিত পৰি এটা সেৱা জনাবলৈ নাপালে। হাজুমুনিয়াহ কাঢ়ি মনৰ শোক মনতে মাৰ নিয়ালে।

নিশা ৯টামান বজাত নাম গাই গাই গোপিনীসকল পানী তুলিবলৈ গল। পানী তুলি আহি আইকণক বেৰৰ ওপবত তুলি নামতীসকলে গীত জুৰি দিলে—

সত্যব্ৰত গ্ৰহণ কৰি এ গান্ধীৰ বাক্য পালি।
শত শত ডেকা বুঢ়াই দিছে আত্মবলি॥
ককায়েবা জেলত বুলি এ নাকান্দিবা তুমি।
কতনো ভূগিছে তেওঁ স্বৰি জন্মভূমি॥
মুক্তি পাইলে মহাত্মা এ ইসবেও পাব।
চিন্তা নকবিবা তুমি শীঘ্ৰেই আহিব॥

নোৱনি-ঘোৱনি হৈ যোৱাৰ পিছত, কন্যাক ভিতৰলৈ নি মবলৰ কাবত বহিবলৈ দিলে। দবা অহাকৈ বাট চাই নামতীহঁতে নামৰ জাউবি তুলিলে। হঠাৎ বিয়া-ঘৰত

থকা মানুহৰ কাণত মটৰৰ ধপধপনি বাজি উঠিল। দবা আহিল, দবা আহিল বুলি বভাতলত বহি থকা সকলো মানুহ পদুলি মুবলৈ লৰ দিলে। মটৰৰ সমুখৰ বিজুলী বাতিজোৰে বাটচবাৰ মুখ পোহৰ কবি তুলিলে। বাট-চবাৰ মুখতে মটৰ থামিল। মটৰৰপবা মহাত্মা গান্ধীৰ জয়ধ্বনি উত্থিত হল সকলোবে চকু মটৰৰ পিনে। মটৰৰ ভিতৰৰ পবা দুজন গান্ধীটুপী পিন্ধা ডেকা নামি আহিল। পদুলি মুবত থকা সকলো মানুহে চিএৰি উঠিল, ধৰণী বোপা আহিল আহিল বুলি। ইয়ে-সিয়ে সুখিবলৈ ধবিলে, এই নিশাথন কেনেকৈ ক'ব পবা আহিল। ধৰণীয়ে কলে, আজি পুৱাতে সকলো বাজনৈতিক বন্দীকে বিনাচৰ্ত্তে চবকাবে এবি দিলে। আমাক নগবত শোভা-যাত্ৰা কবি লৈ ফুবাতহে ইমান পলম হল ঘৰ পাওঁতে। আইসৰ বিয়া আজি বুলি জানি, মোৰ লগৰ বন্ধু কেই-জনকো লগলগাই মটৰ ভাবা কবি লৈ আহিছোঁ। মুমলীয়া ভনীয়েকে লৰ মাবি লৈ মাকক কলে, ককাইদেৰেকে আহিল বুলি। হাজৰিকানীৰ পুতেক অহা বুলি শুনামাত্ৰেই বেজাৰ অসম্ভোষ কেনিবাদি গল। ততাতৈয়াকৈ পদুলিৰ মুবলৈ লৰ দিলে। পুতেককৰ দেখা পায়েই সাবট মাৰি ধৰি কলে,—বোপাই, তই আহিলি! তোৰ কথা মই ভাবিয়েই আছিলো। মোৰ বোপাই তই আহিলি, কুশলে থাক। মোৰ মুবৰ চুলিৰ সমানে তোৰ আয়ুস হ'ক। পুতেককৰ লগৰ কেইজন বন্ধুৰে সৈতে লৈ গৈ ভিতৰত বহিবলৈ দি জা-জলপান খাবলৈ দিলে। আইকণেও ককায়েকৰ ভবিত পৰি এটা সেৱা জনালে।

সেই ছেগতে ববযাত্ৰী সকলো আহি বভাৰ তলত ঠাই ললেহি। দবাঘবীয়া মানুহেও সকলো সুস্থান্ত শুনি আনন্দ পালে। কন্যাঘবীয়া সমস্থৱাসকলেও বভাৰ তলত বহি মহাত্মা গান্ধীৰ মাহাত্ম্য কীৰ্ত্তন কবিবলৈ ধবিলে। ধৰণীইতে জা-জলপান খাই বই আহি বভাৰ তলত থিয় দিলে। লাহে লাহে আটাইকেইজন ডেকাই বাইজৰ ওচবত আঁঠু লৈ সেৱা জনালে। আশীৰ্ব্বাদ এজোলোকা দি সকলো বাইজে সমস্বৰে চিএৰি উঠিল—মহাত্মা গান্ধীৰ জয়, ভাৰতমাতাৰ জয়, ধৰণী বোপাৰ জয়!





বৈজ্ঞানিক জগত



কৃত্রিম বতাহ তৈয়াব কবা যন্ত্র

কৃত্রিম বতাহ তৈয়াব কবা যন্ত্র

কৃত্রিম বায়ুব সহায়েবে উৱাহ-নিয়াহ লৈ জীয়াই থাকিব পাবি নে নোৱাবি, তাব যন্ত্র সাজি বৈজ্ঞানিক সকলে পবীক্ষা কবিব লাগিছে। এই যন্ত্রটো কৃত্রিম বায়ু তৈয়াবী কবা যন্ত্র। ইয়াবে উৎপন্ন কবা বতাহেবে উৱাহ-নিয়াহ লৈ জীব জীয়াই থাকিব পাবে নে নোৱাবে তাকে চাবলৈ ইয়াব ভিতবত এটা মেকুবী পোৱালী বাখিছে।

দৌবব সময় নিৰূপক যন্ত্র

এই যন্ত্রটোবে দৌবব সময়ব সূক্ষ্ম ভাগ ধবিব পাবি।



গঙ্গাব তলেদি সুবঙ্গ

বহুত ইঞ্জিনিয়াবে কয় যে কলিকতাব মাটি তেনেই কোমল। সেই কাবণে মাটিব তলেদি বেললাইন কবি নগবব পবা দীঘলি কাষবব ঠাইবোৱলৈ যাবলৈ টিউব বেল কবিব নোৱাবি। কলিকতাব বিজুলী চাপ্লাই কর্পোবেশ্বনে কিন্তু ইতিমধ্যে সস্তব কবি তুলিছে। এই বিজুলী কোম্পানীব গার্ডেন-বীচত বিজুলী উৎপাদন কবা বৃহৎ কাৰখনা আছে। তাবেগবা গঙ্গানৈব নিপাবে থকা শিৰপুব আৰু হাওবালৈ বিজুলী নিয়াব সুচলব অর্থে গার্ডেন বীচব কাৰখনাব পবা সুবঙ্গ কবি গঙ্গানদীব তলেদি সিপাবব বোটানিকেল গার্ডেনলৈ সুবঙ্গ তৈয়াব কবিছে। ই দীঘে ১৭৩৫ ফুট আৰু তাব ব্যাস ৬ ফুট। গঙ্গাব বুকুব মাটিব ৪০ ফুট তলেদি এই বাট উলিয়াইছে। এই পথেবে শিৰপুবলৈ বিজুলী তাঁব নি সেইবোৱ ঠাইত বিজুলী সবববাহ কবিছে।

এই সুবঙ্গ-পথ কবি উলিয়াবলৈ তিন বছব আগেয়ে গঙ্গাব কেবা ঠাইবো মাটি খানি চাইছিল। মাটিব বহুত তলত এনে বালি আৰু মাটি ওলাইছিল যে, তাবপবা সেই ঠাইলি এসময়ত ব্রহ্মপুত্র বৈছিল বুলি তেওঁলোকে ঠাৱবাইছে।



দুটা উদ্দেশ্যে ব্যৱহাব কবা ছাতি

দুটা উদ্দেশ্যে ব্যৱহাব কবা ছাতি

এইটো এটা ছাতি। ইয়াব সুবিধা হৈছে এফালে যেনেকৈ ইয়াব দ্বাবা ৰ'দব বেছি তাপব পবা শবীব ৰক্ষা কবিব পাবি আনফালে তেনেকৈ এই ছাতি লগেও স্নান বাথ' (sun bath) লবব যিসকলব দবকাব তেওঁলোকব পক্ষে ই একো ব্যাঘাত নজন্মায়। আৰু আচলতে এই ছাতি সেইবিলাক মানুহব নিমিত্তেহে।



(কলিকতা) গার্ডেন-বিচবপবা বোটানিকেল্ গার্ডেনলৈ গঙ্গাব তলেদি কবা সুবঙ্গ



জৰ্জ্জ মেক্‌ফীয়ে সাগৰত মণি-মুকুতা বিচাৰিছে

সাগৰত মণিমুকুতা বিচৰা

স্কট্‌লণ্ডৰ জৰ্জ মেক্‌ফী সাগৰত মণিমুকুতা বিচৰাত বৰ জনাজাত তেওঁ কেলেণ্ডাৰ আৰু এবৰ্ফয়েল অঞ্চলত মণিমুকুতা বিচাৰে। সৌৱা ছবিত তেওঁক মণিমুকুতা বিচৰা দেখা গৈছে। তেওঁ এখন তলি-বহল নাৱত উঠিছে আৰু তলিত কাচ লগোৱা কলহেৰে মণি-মুকুতা বিচাৰি ফুৰিছে।

ইন্‌ফ্লুৱেঞ্জা নিবাৰণৰ উপায়

উত্তৰ লণ্ডনৰ ডাক্তৰ এজনে কয় যে মুখত, এই ছবিত দেখাৰ দৰে, সাজ (mask) ললে ইন্‌ফ্লুৱেঞ্জা হব নোৱাৰে।



গল্প

—শ্ৰীযুত হলীৰাম ডেকা, এম-এ, বি-এল

এই বিষয়টো সম্বন্ধে আপোন খুচিতে একো কবলৈ সাহ নকৰিলোহেঁতেন; কাৰণ, এই সম্বন্ধে আমাৰ নিশ্চয়তাতকৈ সন্দেহ বেছি। তদুপৰি বিশেষ আলোচনাত প্ৰবৃত্ত হবলৈ হলে বিশেষজ্ঞৰ যি জ্ঞান বা অভিজ্ঞতাৰ আৱশ্যক হয় সেই জ্ঞান বা শিক্ষা আৰু দক্ষতা আমাৰ নাই। আলোচনা কৰিবৰ মন এই বিষয়ে আলোচনা চলক বুলি আৰু জনা-বুজা জনচেৰেক বা বিচক্ষণ সাহিত্যিকসকলৰ এই পিনে চকু পৰক বুলি। আমাৰ ত্ৰুটীত কাৰো চকু পৰিও যদি শুধৰণীৰ বাবে কাণ তুলি লয় তেন্তে আমি নথৈ সন্তোষ পাম।

উচ্চ সাহিত্যত গল্পৰ স্থান নিৰাকৰণ কৰা আমাৰ উদ্দেশ্য নহয়। গল্পপাঠকসকলৰ সংখ্যালৈ চাই জনপ্ৰিয়তাত এই বিভাগটোৰ লগত সম্প্ৰতি সাহিত্যৰ আন কোনো অঙ্গকে স্থান দিয়া টান হৈ পৰে। পুৰাণ আকাৰৰ পদ্যৰ প্ৰিয়তা অৱশ্যে এটা সমাজত আছে, তেওঁলোকৰ সংখ্যাও বৰ কম নহয়। কিন্তু বৰ্ত্তমান চলিত শব্দত "গল্প" তাতকৈ অলপ উন্নত স্তৰৰ সাহিত্যৰ অঙ্গ বুলিব পাৰি আৰু আন বিশেষত্বও কিছুমান আছে। সাধুকথা বা উপকথাতকৈ যে আধুনিক গল্প কিছুমান বিষয়ত বেলেগ সিও নিশ্চয় আপোনালোকৰ চকুত পৰিছে।

চমু কথাত,—গল্প জীৱন-কাহিনীৰ প্ৰতিলিপি। জীৱনৰ দুখ-দুৰ্গতি, অভাৱ-অভিযোগ, সুখ-স্বচ্ছন্দতা, কামনা-বাসনা, সুখৰ সপোন, হতাশৰ হুমুনিয়াহ, চিন্তাৰ দংশন, আনন্দৰ পৰিতৃপ্তি সকলো প্ৰকাশ হয় এই ৰূপক সাহিত্যৰ মাজেদি। ইয়াত লিখকৰ বিচাৰৰ সূক্ষ্মতা, বুদ্ধিৰ তীক্ষ্ণতা, জীৱনৰ অভিজ্ঞতা, সকলো প্ৰকাশ পায়—নানা ছন্দ, ভাবভাষা আৰু বিষয়বস্তুৰ ভিতৰেদি। প্ৰাণৰ কাহিনী জীৱন্ত হৈ উঠিলেই গল্পলিখকৰ চেষ্টা সাফল্যমণ্ডিত হোৱা বুলি কব পাৰি।

নিপুণ চিত্ৰশিল্পী আৰু গল্পলিখকৰ স্থান নিতান্ত ওচৰা-উচৰি। কোনো শিল্পকলাত উন্নতিৰ শেষ সীমা বা কল্পনাৰ চৰম পৰিধি নাই; কিন্তু তাৰ প্ৰকাশৰ ভাষা, ভাব বা ৰং যিমানদূৰ স্বাভাৱিক হয় তিমানে তাক প্ৰকৃতৰ ৰহণ দিয়াত সহায় কৰে। সকলো ৰং-ৰেখা ভাব-ভাষা চিন্তা-উদ্দীপক আৰু সামঞ্জস্য থকা হব লাগে। বহুত সময়ত গান বা গীতৰ ৰাগিণী শুনি যেনেকৈ অৰ্থ নুবুজিও তন্ময় হোৱা যায়, ভাব নুবুজিও কোনো চিত্ৰ চাই ভাবাবেশত আপ্লুত হোৱা যায়, সেইদৰে গল্পতো সময়ত বিষয়বস্তুৰ লগত বিশেষভাৱে পৰিচিত নোহোৱাকৈও কিবা এটা কাৰণত চিত্ত মুগ্ধ হোৱা পোৱা যায়;—তাৰ ভিতৰুৱা মানৱধৰ্ম্মমূলক নিশ্চয় কিবা এটা কথাই প্ৰাণৰ গুপুত স্থানত মোহন আবেশত আঘাত কৰি যায় আৰু নানা আবৰণ ভেদ কৰি বাহিৰত সি মূৰ্ত্ত আকাৰ ধাৰণ নকৰিলেও আপোনাৰ অতি পৰিচিত জনৰ দৰে আপোনমনে নিভৃত সঙ্কেত এটি এৰি যায়, সেয়ে আপুনি বিকশি তাৰ মোহন মূৰ্চ্ছনাৰ আপোনাৰে হৃদয়-তন্ত্ৰীত কম্পন তোলে।

এটা কথা;—এটা বস্তুৰ বজাৰত বেছি ব্যৱহাৰ থাকিলেই তাৰ বেছি সৰবৰাহৰ চেষ্টা চলে; আৱশ্যকৰ অনুপাতে ভাল বা খাটি বস্তু নাপালে জাল বা ভেজাল বস্তুৰো বহুল প্ৰচাৰ দেখা যায়। গল্পবিষয়তো সেই কথাই খাটে। মানুহৰ আগ্ৰহ দেখিয়ে কাকতে-পত্ৰে, কিতাপে-প্ৰচেষ্টাই নানা গল্প দেখা দিছে—সুৰুচি,কুৰুচি,অৰুচি নানা ৰুচিসম্পন্ন।

জীৱনৰ বাস্তৱতাৰ মাজত কল্পনাৰ পোহৰে ৰেঙাই যোৱাত বহুতেই যিহকে পায় তাকে প্ৰিয় বস্তু জ্ঞানে সামৰে কিন্তু দুদিন পিছত কলা পৰি গলে হে তাৰ প্ৰকৃত পৰিচয় পায়। সেই কাৰণে গল্পৰ নিন্দাবাদ থকা স্বাভাৱিক।

গল্প ঠিক কেনে ধৰণৰ হোৱা উচিত কোৱা টান আৰু তাৰ মনোহাৰিত্বৰ লক্ষণ দিয়াও বৰ সহজ নহয়। বঙ্গদেশৰ প্ৰসিদ্ধ ঔপন্যাসিক শ্ৰীযুত শৰৎচন্দ্ৰ চট্টোপাধ্যায় ডাঙৰীয়াই এসময়ত নিজৰ বিষয়ে কৈছিল—"পোনতে লিখিবলৈ টান পাইছিলো ঘাইকৈ অভিজ্ঞতাৰ অভাৱত; তেতিয়া আনৰ পৰা ধাৰ কৰিবলৈ বেছি চকু আছিল। কিন্তু জীৱনত নানা চাকনৈয়াত বাগৰি প্ৰিয়াপ্ৰিয় নানা অভিজ্ঞতা লাভ কৰাৰ পিছত সেই বাধা কাটি গল। নিজৰ মনত যিটোৱে বেছি দকৈ লাগে, তাকে লিখিবলৈ আৰম্ভ কৰিলো, লেখনী তেতিয়া আৰু আৰষ্ট নহয়।" লিখক হবলৈ লাগে জগতৰ অভিজ্ঞতা আৰু তাৰ প্ৰকৃত মৰ্ম্ম বুজিব পৰা শক্তি। জীৱনত দেখা-শুনা-পঢ়া নানা বিষয় আলোচনা কৰি যিটোকে ভিতৰত জীৱন্ত গঢ় দিব পাৰি তাৰে প্ৰকাশৰ চেষ্টা বেছি ফলৱতী হয়। বহুত সময়ত নিজৰ কল্পনাৰ পৰশৰ বা ভাবৰ সাচৰ অভাৱত সুন্দৰ মনোহৰ 'প্লট' বা বিষয়বস্তুও অতি নিৰ্জীৱ প্ৰাণহীন হয়। গাই এজনীৰ ধুনীয়া পোৱালী এটি মৰা অৱস্থাত ভূমিষ্ঠ হলে দেখি যেনে বেয়া লাগে এই গল্পবোৰ দেখিও তেনে ধাৰণা হয়; বিধাতাৰ অপূৰ্ব্ব সৃষ্টিকৌশল প্ৰকাশৰ বাটত বাধা পায়ে যদি এনে কুৰূপ আকাৰ ধাৰণ কৰে তেন্তে মানুহৰ চেষ্টা ব্যৰ্থ হোৱা আৰু কি কথা?

গল্পৰ কথা উলিয়ালেই প্ৰেম-কাহিনী বা 'love story"ৰ কথা মনত নপৰাকৈ নাথাকে। অলপতে এজন সম্পাদক-বন্ধুৰ ওচৰত এজন কাকতৰ গ্ৰাহকৰপৰা এখন চিঠি দেখিলো। তেওঁ সম্পাদকলৈ লিখিছে—"আপোনাৰ কাকতত ভালপোৱাৰ গল্পৰ বাহিৰে আন একো পঢ়িবলৈ নাপাওঁ, অহা সংখ্যাৰপৰা মোলৈ কাকত পঠিয়াব নালাগে।" তেওঁৰ অভিযোগ নিতান্ত উপলুঙাৰ বিষয় নহয়। তেওঁ যে মনত আঘাত পাই চিঠিখন লেখিছে সেইটো বিশ্বাস হয়। কিন্তু কিহে তেওঁক আমুৱালে? ভালপোৱাই নিশ্চয় নহয়, ভালপোৱাৰ গল্পই। কাৰণ কোনো মানুহে ভাঠকৈ কব নোৱাৰে যে তেওঁ ভালপোৱাৰ ওপৰত বা ভালপোৱা তেওঁৰ প্ৰতি অপ্ৰীতিকৰ বস্তু। গল্পৰ ভালপোৱা তেওঁৰ প্ৰতি কিয় অপ্ৰীতিকৰ হ'ল? কাৰণ আন একো নহয়, অস্বাভাৱিকতা বা অবাস্তৱিকতা। আশা কৰোঁ গল্পলিখক সম্প্ৰদায়ে আমাক ক্ষমা কৰিব যদি দুই এটা সাধাৰণতে চলিত থকা দোষ ইয়াত উল্লেখ কৰোঁ, কাৰো প্ৰতি ব্যক্তিগত আক্ৰোশ আমাৰ নাই। ভালপোৱাৰ গল্প বুলিলেই আমি নায়ক-নায়িকা দুটাক প্ৰথম দৃষ্টিতে তেনে ভূমিকাত পেলাই লওঁ আৰু যিমান পাৰোঁ টানি আজুৰি দুয়োকে লগ লগাই দিওঁ বা কেতিয়াবা বিয়োগান্তক দৃশ্যৰ অভিনয় কৰোঁ। সাধাৰণ শ্ৰেণীৰ মানুহৰ মাজত ভালপোৱাৰ সূচনা কৰিবলৈ হলে নৈৰ ঘাটত নাইবা বিহুতলীত আৰম্ভ কৰো আৰু বিহুগীতৰ চেৱে চেৱে বা নিজান গধূলি কোনোবা ছায়াতৰুৰ তলত প্ৰেমৰ সমিধান দিয়াওঁ। প্ৰায় সময়তে ছোৱালীৰ বাপেকে আনৰ লগত বিয়াৰ বন্দোবস্ত কৰে আৰু নাগৰ যুগলে গুপ্তমন্ত্ৰণাৰ দ্বাৰা নিজৰ ভবিষ্যৎ বৈবাহিক জীৱনৰ বাবে বাট পৰিষ্কাৰ কৰে। তাতকৈ উন্নত সমাজত বা মধ্যবিত্ত শ্ৰেণীৰ ভিতৰত হলে নায়িকাক অলপ আৰত ৰাখিয়ে আৰম্ভ কৰোঁ; কিন্তু অতি সোনকালে তেওঁ চকুৰ আগলৈ আহে আৰু এজনী প্ৰগল্‌ভাৰ ভূমিকাত অৱতীৰ্ণা হয়। হয় কলেজীয়া লৰাক আলহী অৱস্থাত চাহ দিয়া নহলে অসুস্থতাৰ সময়ত অলপ যত্ন লোৱাকে অৱলম্বন কৰি ঘনিষ্ঠতাৰ সূত্ৰপাত কৰা হয়। দুই এজনে অৱশ্যে ফুলনিৰ মাজতো দৃষ্টিৰ বিনিময় কৰিছে। আৰু এনেবোৰ অৱস্থাত প্ৰেমৰ বাৰ্ত্তাবহ কৰা যায় ভাই-ভতিজাসকলক বিশেষকৈ দূতীৰ অভাৱত। এই আটাইবোৰ ধৰণৰ প্ৰেমেই "নভেলী-প্ৰেম" বুলি জনাজাত—ইয়াৰ ভিতৰত বাস্তৱতা বৰ কম আৰু বহুত সময়ত সমাজৰ সংৰক্ষিত অনুষ্ঠানবোৰৰ প্ৰতি এটা তীক্ষ্ণ বিদ্ৰূপৰ চাৱনি দেখা যায়। সেয়ে পাঠকৰ মনত আঘাত কৰে। এই ধৰণৰ প্ৰেমৰ বাবে যে লিখকসকল বিশেষ জগৰীয়া তেনে নহয়, বা এই দোষ বহুত সময়ত তেওঁলোকৰ ইচ্ছাকৃতও

নহয়। এনে ধৰণৰ প্ৰেম পশ্চিমৰ আমদানি, আমাৰ সমাজত ই তেনেকৈ খোপনি পুতি উঠা নাই—নুঠা বোধ কৰো মঙ্গলকৰো। তাত ডেকা-গাভৰুৰ মিলনত বাধা নাই, আৰু সকলোৰে জীৱনত এনেবোৰ প্ৰেমৰ ভূমিকাত তেওঁলোকে ভাও দিব লগীয়া হয়। দাম্পত্য প্ৰণয়ৰ যুৱলি কান্ধত লোৱাৰ আগতে তেওঁলোকে প্ৰেম-অভিনয়ৰ প্ৰবেশিকা পৰীক্ষা উত্তীৰ্ণ হব লগীয়া হয়। বিয়া নকৰালেও এই অভিনয়ৰ পৰা বঞ্চিত নহয়। কাজেই তাত প্ৰত্যেক ডেকাৰ বা গাভৰুৰ জীৱনতে এনে এটা বৰ্ণনা বৰ্জিতা নাখালেও অস্বাভাৱিক নহয়; কিন্তু আমাৰ ইয়াত এই অভিনয় অতি বিৰল। ইয়াৰ স্ৰোত অন্তঃসলিলা। আমাৰ অনুৰাগ প্ৰকাশৰ ভাষা তেওঁলোকতকৈ সুকীয়া, অতি আলসুৱা। কবি কালিদাসৰ অপূৰ্ব্ব সৃষ্টি শকুন্তলাই কুশৰ কাঁইটে বিন্ধা বুলি পাছলৈ চোৱা দৃষ্টিটো মনত কৰক আৰু "Tell me, you love me and none else" বুলি পশ্চিমৰ গাভৰুৱে কোৱা কথা মিলাই চ'ক।

চৰিত্ৰ অঙ্কন গল্প লিখাৰ ঘাই উপকৰণ বা উপাদান। যিমানদূৰ কৃত্ৰিমতা এৰি এই বিষয়ত চলিব পাৰি তিমানে সুফলপ্ৰদ। গল্পৰ ভিতৰত অৱশ্যে সংখ্যাত কম চৰিত্ৰই থাকে কিন্তু সেই কেইটা ভালকৈ ঘহা মজা নকৰিলে চিত্ৰ অলপ কুৎচ হয়। প্ৰণয়ৰ আকৰ্ষণ মানুহৰ জীৱনত একৰা টান কিন্তু তাত স্বাভাৱিক অনুপাতেহে ৰং দিব লাগে; ডাঠ পাতল হলে চেকুৰা-চেকুৰি হয়। মানুহৰ মন অধ্যয়ন ক্ষমতাৰো বৰ আৱশ্যক হয়। বহুত সময়ত সযত্নে অঙ্কিত চিত্ৰ এই দোষৰ বাবে "জলি" যায় বা misfire কৰে। ধৰক, ৰূপহী ছোৱালী এজনী হলেই যে ডেকা এজনে ভাল পাব বা ধুনীয়া ডেকা হলেই যে গাভৰুৰ চকু পৰিব তাৰ কোনো অৰ্থ নাই। গান গোৱা চৰাই হলেই কুলি বা কেতেকী নহয়, সাতোটা ৰঙৰ সমন্বয় মানেই ৰামধেনু নহয়। আকৰ্ষণ-বিকৰ্ষণ ভিতৰুৱা কিছুমান ধৰ্ম্মৰ বাবে হয়, বহুত সময়ত বাহ্যিক প্ৰকাশত ধৰিব নোৱাৰি। এই বিষয়ত অকল লিখক কিয় আমাৰ দৈনন্দিন জীৱনতো বহুত ভুল দেখা যায়।

দুই এজনে কয় যে প্ৰেম নহলে জানো গল্প নহয়? প্ৰেমৰ অৰ্থ যদি যৌন আকৰ্ষণ হয়, তেনেহলে সেই প্ৰেম নোহোৱাকৈ কিছুদূৰ সম্ভৱ। কিন্তু যদি সাধাৰণ অৰ্থত অৰ্থাৎ প্ৰীতি, ঘনিষ্ঠতা বা সৌহাৰ্দ্য বুলি ধৰোঁ তেনেহলে ইয়াক নোহোৱাকৈ নোৱাৰি। তাতকৈ যদি আৰু উদাৰ অৰ্থত ধৰা হয় যে হিংসা-দ্বেষ আদিও প্ৰেমৰ কুৰূপ আকাৰ মাত্ৰ তেতিয়া মানুহ কিয় কোনো প্ৰাণীৰে কাৰ্য্যকলাপ প্ৰেম অবিহনে বৰ্ণাব নোৱাৰি। প্ৰেম হৃদয়-তন্ত্ৰীৰ স্পন্দন, তাৰ সহায়ত গোটেই জগত নিৰ্জীৱ প্ৰতীয়মান হব আৰু ইয়াৰ সুৰুচিসঙ্গত হেন্দোলনিত এনে কোনো প্ৰাণ নাই—যি নানাচি থাকিব পাৰিব; কোনো পাঠকৰ সাধ্য নাই "ভালপোৱাই আমুৱাইছে" বুলি আপত্তি কৰিব।

আমি অনিচ্ছাতো প্ৰেমকাহিনীৰ নামত ভালেখিনি ঠাই নিয়ালো, ইয়াৰ কাৰণ হৈছে এই যে আমাৰ সৰহভাগ গল্পই বিভক্ত কৰিলে এই শ্ৰেণীত পৰে। আমাৰ জাতীয় জীৱন বৰ সঙ্কীৰ্ণ, চেষ্টা-প্ৰচেষ্টা নিচেই ঠেক সুঁতিত বয়, জীৱনৰ আকাঙ্ক্ষাৰ ঠায়ো তেনেই এচমকা; এনেস্থলত আমাৰ মন সামান্য ভেটি এৰি ওপৰলৈ উধাবলৈ টান পায়। সাহিত্যতো পাওঁ তাৰে প্ৰতিচ্ছবি। জীৱনত বিবাহৰ বাহিৰে ঘটনা নাই, ওচৰ-চুবুৰীয়াত বাহিৰে আলোচ্য ব্যক্তি নাই, মেলত বৰপীৰাখনেই আমাৰ যুক্তৰাজ্যৰ সভাপতিৰ আসন, কেঞামহাজনৰ দোকানৰ খাতাই আমাৰ কাৰবাৰৰ চূড়ান্ত পত্ৰ। এনেস্থলত লিখকসকলে কি বৃহৎ ৰাজ্যৰ আমাক আভাস দিব আৰু দিলেই বা আমাৰ চকুত লাগিব কি? আফ্ৰিকাৰ মৰুভূমিক সাৰুৱা কৰি তাৰ ওপৰত উপনিবেশ স্থাপন কৰা আমাৰ কল্পনাৰো অতীত, বিশ্বসভাত আমাৰ বাবে আসন খালি কৰি ৰখা কেইজনৰ সমাজিকত উদিত হৈছে? আমাৰ সাহিত্য যে অকল প্ৰদেশৰ ঘটনা লৈয়ে আবদ্ধ থাকিব লাগে তাৰ একো অৰ্থ নাই। ইজিপ্তৰ বুৰঞ্জীৰ ওপৰত ইংৰাজ জাতিৰ যিমান অধিকাৰ পাৰস্যৰ লগত তাতকৈ আমাৰ বেছি সম্বন্ধ, পাৰস্যৰ পৰা আমাৰ বিষয়বস্তু আহৰণ কৰাত কি আপত্তি থাকিব পাৰে? আমাৰ চেষ্টা আৰু কামৰ পৰিসৰ বৃদ্ধি পাব লাগে, তাৰ লগে লগে সাহিত্য বা গল্পৰ আলোচ্য বিষয়ৰ পৰিধিও ভালেখিনি বাঢ়িব সন্দেহ নাই।

কোনো এটা বিষয়ত আবদ্ধ নথকাকৈও সাহিত্য মনোনয় কৰিব পাৰি। যৌন আকৰ্ষণৰ এটা সাৰ্ব্বজনীনতা আছে বুলি ই সৰহভাগ সাহিত্যতে ঠাই পাইছে, কিন্তু এয়ে অকল জীৱনৰ সঞ্চালনী শক্তি নহয়। আমাৰ সুখ-দুখে তাৰ অনুৰূপ ভাষা পালে সেয়ে জীৱন্ত হৈ উঠে। বুকাৰ ৱাশ্বিংটনৰ আত্মজীৱনীয়ে এই কথাৰ পোষকতা কৰে। ম্যাক্সিম গোৰীৰ কিতাপত ইন্দ্ৰিয়-সুখৰ কল্পনাতকৈ পীড়িতৰ কাতৰ আৰ্ত্তনাদে বেছি প্ৰকাশৰ বাট পাইছে। বয়াৰৰ "বুভুক্ষা", আনাটোল ফ্ৰাচেৰ "থে"ত বিশ্বগ্ৰাসী হুতাশৰ বিননি শুনা যায়। ক্লিষ্ট ভাৰতৰ দুখকষ্টই অনুৰূপ ভাষা পালে কিয় সাকাৰ মূৰ্ত্তি ধাৰণ নকৰিব? সহানুভূতিশীল লেখনী লৈ এই ছাই-ভস্মৰ ওপৰেদি হাত বুলালেও ফিৰিঙ্গতিৰ সমষ্টিয়ে ৰাৱণৰ চিতানলৰ গৌৰৱ পাব। লাগে প্ৰকাশৰ ভাষা, জীৱন্ত কৰিব পৰা অনুৰূপ প্ৰাণৰ শক্তি। যি দেশত মানুহৰ মূৰ সুমাবৰ ঘৰ নাই তাত কাৰেঙৰ বৰ্ণনাই কেইজনক সন্তোষ দিব, য'ত খাবৰ পানী নাই তাত আঙুৰৰ চৰবতৰ কথা কাৰ কাণত ভাল লাগিব, য'ত লৰা-ছোৱালীয়ে খাব নাপাই ভোকত কান্দিছে তাত আৰবৰ মোহস্বপ্ন কিয়? কবলৈ মন যায়—

"Life is real life is earnest
Death is not its goal."

বন্ধ্যা কল্পনা, কবিৰ সপোন বাস্তৱ জগতত ক'ত লয় পায়!*

* ৩।৩।৩২ তাৰিখে কলিকতা এ-এছ-এল ক্লাবত পঢ়া।

গ্ৰীক মহাকবি হোমাৰৰ ওডিচি

(আগৰ সংখ্যাৰ পিছৰ পৰা)

—শ্ৰীযুত অম্বিকাপ্ৰসাদ গোস্বামী, বি-এল

তৃতীয় অধ্যায়

ইউলিচিচৰ মুক্তি আৰু ফিচিয়ানসকলৰ আশ্ৰয় গ্ৰহণ

আনে পাহৰিলেও ইউলিচিচক দেৱী মিনাৰ্ভাই পাহৰা নাই। কেনেকৈ তেওঁ ইউলিচিচক ফেলিপ্সোৰ হাতৰ পৰা উদ্ধাৰ কৰিব পাৰে তাৰে চেষ্টা কৰিয়েই আছে। পুনৰায় দেৱসভাত দেৱৰাজ জুপিটাৰৰ আগত ইউলিচিচৰ কথা কৈ বৰ বেজাৰ কৰি কলে যে ইমান দিন ইউলিচিচক নিজৰ দেশৰ পৰা আঁতৰত ৰখা দেৱৰাজৰ পক্ষে ন্যায়সঙ্গত হোৱা নাই, এনে বিচাৰ হলে সন্ত আৰু দুষ্টৰ কোনো তফাৎ নাই, বৰঞ্চ দুষ্টৰ পক্ষেহে ভাল। ভৱিষ্যতে যেন কোনো ৰজায়ে প্ৰজাসকলক ন্যায়ধৰ্ম্ম অনুসাৰে শাসন নকৰে আৰু যেন কাকো দয়া মৰম নকৰি, সকলো ৰকম অন্যায় অবিচাৰ কৰে, কাৰণ দয়া ধৰ্ম্মৰ পুৰস্কাৰ ৰজা ইউলিচিচে কি পাইছে? এই কথাত দেৱৰাজ বিচলিত হল আৰু তৎক্ষণাৎ তেওঁ দেৱদূত মাৰ্কুৰিক ফেলিপ্সোৰ ওচৰলৈ পথাই হুকুম দিলে যে এতিয়াই ইউলিচিচক এৰি দিব লাগিব, এই আজ্ঞা অতিশীঘ্ৰে পালন কৰিব লাগিব, ইয়াৰ অন্যথা হব নোৱাৰে।

দেৱদূতে পাখি মেলি উৰি গৈ ফেলিপ্সোৰ দ্বীপ পালে, আৰু পাখি দুখন কোচাই মাটিত জপিয়াই পৰি লাহে লাহে ফেলিপ্সোৰ গহ্বৰ পালেগৈ। ফেলিপ্সোৰ পাহাৰত চাৰিওপিনে সেউজীয়া ওখ পাহাৰ। সেই ঠাইডোখৰ চিডাৰ আৰু দেৱদাৰু গছৰ সুগন্ধি গন্ধত মলমলাই আছে, গহ্বৰৰ ভিতৰত ফেলিপ্সো বহি সুমধুৰ গান গাই গাই সূতা কাটিব ধৰিছে, তেওঁৰ চুলিতাৰ অতি মনমোহা। তেওঁৰ গান শুনি দেৱদূতে মিচিকিয়া হাঁহি মাৰিলে। গহ্বৰৰ চাৰিওপিনে ঝাউ, এল্ম আৰু সুগন্ধি চাইপ্ৰচ গছে ভৰা। সেই গছবোৰত ডাঙৰ সৰু সকলো ৰকমৰ চৰাইৰে বাহ আছে। গহ্বৰৰ সমুখত সেউজীয়া আঙ্গুৰ গছে ভৰা, ফল-বোৰ এনে পকা যেন ফাটি মদহে ওলাইছে। চাৰিটা নিজৰাৰ পানীয়ে সেই ঠাইডোখৰ ঠাণ্ডা কৰি ৰাখিছে, আঙ্গুৰ গছৰ সিপিনে সেউজীয়া বন, মাজে মাজে ভায়োলেট ফুল। তাকে দেখিয়েই ফেলিপ্সোই দেৱদূতক চিনি পালে। মাৰ্কুৰিয়ে তৎক্ষণাৎ দেৱ-আজ্ঞা তেওঁক জনালে। দেৱৰাজৰ এই কঠোৰ আদেশ শুনি ফেলিপ্সোই মৰ্ম্মান্তিক শোক পাই কলে যে দেৱৰাজে এইখিনিও সব নোৱাৰিলে। ইউলিচিচক তেওঁ প্ৰকৃতপক্ষে ভাল পাইছিল। যি হক জুপিটাৰৰ আদেশ পালন কৰিবই লাগিব, তেওঁ ইউলিচিচক এৰি দিব, কিন্তু তেওঁৰ দ্বীপত এখনো নাও নাই, সেইবাবে ইউলিচিচে এখন নাও নিজে সাজি লব লাগিব। দেৱদূতক বিদায় দি তেওঁ মুক্তিৰ কথা জনাবলৈ ইউলিচিচৰ ওচৰলৈ নিজে গ'ল। গৈ দেখে তেওঁ সাগৰৰ পাৰত বহি ইথাকাৰ পিনে আগ্ৰহেৰে চাই কিবা ভাবি গম্ভীৰ হৈ বহি আছে। তেওঁৰ দেহাটো যদিও ফেলিপ্সোই বন্দী কৰি ৰাখিছে, তথাপি তেওঁৰ মন হলে ইথাকাত। অনিচ্ছাত বন্দী হৈ থকাতো তেওঁ সেই অৱস্থাত কোনো সুবিধা পালে এৰি নিদি তাৰ উপযুক্ত সদ্ব্যৱহাৰ কৰিছিল আৰু ফেলিপ্সোই জোৰ কৰি যাচি দিয়া প্ৰেম তেওঁ প্ৰত্যাখ্যান নকৰি তাৰ উপযুক্ত প্ৰতিদান দিছিল।

কৰো নকৰোকৈ কৈ জুপিটাৰৰ আদেশ পালন কৰি ইউলিচিচক বিদায় দিলে, কিন্তু তেওঁক এৰি যাব ওলোৱাত ইউলিচিচক অলপো কাতৰ হোৱা নেদেখি তেওঁ মৰ্ম্মাহত হৈ কলে, "লেইট্ৰিচৰ পুত্ৰ ইউলিচিচ! তুমি আনন্দেৰে ইয়াৰ পৰা নিজৰ জন্মভূমিলৈ গুচি যাবা নে? বিদায়। কিন্তু মোৰ এই অমৰ হৃদয়ত তোমাৰ প্ৰতি যি আকুল আগ্ৰহ সঞ্চিত হৈ আছে আৰু তোমাৰ বিৰহত মই যিমান যন্ত্ৰণা ভুগিব লাগিব, যদি সেই কথা তুমি ভালকৈ জানিলা হেতেন তেনেহলে বোধ হয় তুমি আনন্দেৰে মোৰে সৈতে থাকিলা হেতেন। যি পেনিলোপিৰ নিমিত্তে তুমি ইমান ব্যাকুল হৈছা বোধ হয় তেওঁ মোৰ ৰূপক চেৰ পেলাব নোৱাৰে। মানুহৰ পক্ষে অমৰ দেৱতাৰ লগত জেদ কৰি চিৰকাললৈ নিজৰ মূৰলৈ বিপদ টানি অনা উচিত নহয়।" ইউলিচিচৰ উত্তৰো সৰল আৰু বীৰত্বপূৰ্ণ, তেওঁ উত্তৰ দিলে "এইবোৰ মই সকলো জানো, আৰু নিজে স্বীকাৰ কৰো যে পেনিলোপিতকৈ তোমাৰ ৰূপ বহুগুণে বেছি কাৰণ তুমি দেৱী আৰু তেওঁ মানৱী, তথাপি তেওঁ আৰু মোৰ জন্মভূমি মোৰ বৰ প্ৰিয়। কিন্তু সেইবাবে যদি প্ৰতিশোধ লবৰ মনেৰে কোনো দেৱতাই বাটত মোৰ জাহাজ বুৰাই দিয়ে, তেনে মই বীৰৰ দৰে সহ্য কৰিম, কাৰণ বিপদ মোৰ জীৱনৰ চিৰ লগৰীয়া। সাগৰ আৰু যুজে মোৰ অন্তৰত বহুতো দাগ দিছে।

ফেলিপ্সোৰ উপদেশ মতে ইউলিচিচে নিজেই এখন নাও সাজিলে, সকলো যো-জা হোৱাত ফেলিপ্সোই সেই নাওখনত বহুতো ভাল খাদ্য আৰু মদ তুলি দিলে, তাৰ পিছত তেওঁ পাল তৰি দি নাও এৰি দিলে। কিন্তু নিৰ্ব্বিঘ্নে তেওঁ বেছি দূৰ যাব নোৱাৰিলে। সমুদ্ৰ দেৱতাৰ লৰা পলিচিমাচক কণা কৰাই ইউলিচিচৰ ওপৰত তেওঁৰ বৰ খং উঠিছে আৰু তাৰ প্ৰতিশোধ লবৰ নিমিত্তে ছেগ চাই আছিল, এতিয়া সুবিধা পাই তেওঁ ইউলিচিচৰ নাও ঢৌ আৰু বতাহৰ কোবত চুৰমাৰ কৰিলে, ইউলিচিচ পানীত পৰি যেনেতেনেকৈ ভগা মাস্তুল এডোখৰত ধৰি প্ৰাণৰক্ষা কৰিলে। ইউলিচিচৰ কষ্ট দেখি ইনোনামে এজনা জল-কুৱৰীৰ বেথা লাগিল আৰু মন্ত্ৰ মাতি তেওঁক এডোখৰ কাপোৰ দিলে, সেই কাপোৰ ডোখৰৰ এনে গুণ যে যিমান সময় সেইখন গাত থাকে সিমান সময় তেওঁৰ জীৱনৰ সংশয় নহয়। দুদিন দুৰাতি ঢৌৰ কোবত সাগৰত ভাহি

থাকিল; তৃতীয় দিন অতি কষ্টেৰে শিলেবে ঘেবা এখন অচিনাকি দ্বীপত যেনেতেনেকে উঠি তেওঁ প্ৰাণৰক্ষা কৰিলে। দুদিন দুৰাতি ঢৌৰ কোবত তেওঁৰ গোটেইটো গাতে ঘা হৈছিল; আৰু শৰীৰ বৰ অবশ হোৱাই, কিছুমান গছৰ পাত গোট কৰি তাৰে ওপৰত পৰি মৰা মানুহৰ দৰে ঘোৰ টোপনিত পৰিল।

বিষম দ্বীপত উঠি ইউলিচিচে প্ৰাণ ৰক্ষা কৰিলে সেই দেশৰ নাম হৈছে ফেণিয়া, আৰু তাত থকা মানুহ বিলাকক ফিচিয়ান বোলে, সেই মানুহবোৰ অমল আচৰিত ৰকমৰ, সাধাৰণ মানুহৰ দৰে নহয়। এই বিষদতো ইউলিচিচক হলে দেবী মিনাৰ্ভাই এৰা নাই। ফিচিয়ান ৰাজকুমাৰী যুবতী নচিকাক তেওঁ ৰাতি সপোন দেখুৱালে যে অলপতে ৰজাঘৰত এখন বিয়া হব, আৰু ভৱাৰৰ কাপোৰবোৰ ময়লা হোৱাই এৰাব কাপোৰবোৰ ধুব লাগে। পুৱা সাৰ পাই উঠি ৰাজকুৱৰী পিতাকৰ ওচৰলৈ গৈ কলে যে লগৰীয়াবোৰৰেৰে সৈতে সাগৰ-সঙ্গমলৈ কাপোৰ ধুব যাবৰ নিমিত্তে এখন ৰথ আৰু এজোৰ ঘোৰা লাগে। ৰজাই তেতিয়াই ৰথ সজাৰ হুকুম দিলে, ৰাণী এবিটিয়ে তেওঁলোকে যাবৰ নিমিত্তে ৰথত বহুত ভাল ভাল খোৱা বস্তু আৰু ছাগলীৰ চামবাৰ মোনাত মদ ভৰাই ৰথত তুলি দিলে। যি ঠাইত নচী সাগৰত পৰিছে সেই ঠাইলৈ গৈ তেওঁলোকে কাপোৰ ধুব ধৰিলে। লগৰীয়াইতে সৈতে ৰাজকুৰৰীয়ে কাপোৰবোৰ পানীত ভিজাই সক সক ধুনীয়া ভৰিবে গছকি গছকি কাপোৰবোৰ নিকা কৰিলে, সকলোবোৰ কাপোৰ ধোৱা হোৱাত সকলোবে ৰংঢেমালি কৰি গা ধুই উঠি মাকে দিয়া খোৱা বস্তুবোৰ খালে।

যি ঠাইত ইউলিচিচ ভৰ টোপনিত পৰিছে, সেই ঠাইৰ ওচৰতে থাই বই উঠি গোটেই কেজনীয়ে লগ লাগি বল খেলিব ধৰিলে। খেলি থাকোতে এবাৰ ৰাজকুৰৰীয়ে হঠাৎ বলটো সাগৰৰ পানীত দলি মাৰি দিলে, পানীত বলটো পৰাত ছোৱালীবোৰে চিঞৰি উঠিল, আৰু সেই চিঞৰত, সাৰ পাই ইউলিচিচে গাভৰু ছোৱালী কেইজনীক দেখি আৰু তেওঁ নিজে নঙটা হৈ থকা দেখি বিমোৱত পৰিল, কাৰণ ইশানবোৰ ছোৱালীৰ আগত নাঙ্গ-মুঙ্গ হৈ তেওঁ কেনেকৈ ওলাই সাহায্য ভিক্ষা কৰিব পাৰে! সাগৰৰ পৰা উঠিহেই জলকুৱৰীয়ে দিয়া কাপোৰ ভোখৰ তেওঁৰে পৰাদর্শ মতে পানীত দলিয়াই পেলাইছে, এওঁলোকৰ আগত নোনাপেণ্ড তেওঁৰ সাহায্য পাবৰ আশা নাই। তেতিয়া ফন্দিয়ক ইউলিচিচে ওচৰত পৰি থকা জলপাই গছৰ ঠাঁবিৰ বাকলিবে এটি লেংটি মাৰি হঠাৎ সেই গাভৰু কেইজনীৰ আগত ঘণহ কৰে ওলাল। এই অদ্ভুত মূৰ্ত্তি দেখি নচিকাৰ লগৰীয়াবিলাকে চিঞৰি বেৰে বিপিনে পায় পলাল, কিন্তু ৰাজকুমাৰীয়ে নাও ডুবি পানীত পৰা মানুহ বুলি অনুমান কৰি নিৰ্ভয়ে থিয় হৈ থাকিল। চতুৰ ইউলিচিচে তেওঁকে ৰাজকুমাৰী বুলি অনুমান কৰি অমল দুৰত থাকি তেওঁৰ ৰূপ আৰু সবলতাৰ প্ৰশংসা কৰি তেওঁৰ সাহায্য প্ৰাৰ্থনা কৰি কলে যে যদি তেওঁ এই বিপদত তেওঁক সহায় কৰে তেনেহলে তেওঁৰ বিয়াৰ সময়ত দেবতাসকলে তেওঁক আশীৰ্ব্বাদ কৰিব। তেতিয়া নচিকাই পলবীয়াবোৰক মাতি আনি গালাগালি কৰি কলে যে দুবীয়া আৰু অতিথি ঈশ্বৰৰ দূত, তেওঁলোকক অবহেলা কৰিলে দেবতাসকল ৰষ্ট হয়। তেতিয়া তৎক্ষণাৎ তেওঁলোকে ইউলিচিচক পিন্ধিবলৈ কাপোৰ আৰু খাবলৈ ভাল খাদ্য আৰু মদ দিলে,তাব পিছত গা ধুই যেতিয়া ওলাল, ইউলিচিচে সেই কাপোৰখিনি পিন্ধি বাৰবি চুলিতাবেৰে সৈতে তেওঁলোকৰ আগত, তেতিয়া মিনাৰ্ভাই তেওঁক এনে সুন্দৰ আকৃতি আৰু ৰূপ দিলে যে তেওঁক দেখি ৰাজকুৱৰী মুগ্ধ হল আৰু লগৰীয়া বিলাকক মনে মনে কলে যে যেতিয়া তেওঁৰ বিয়া হ'ব তেতিয়া যেন এনে এজনৰ লগত হে তেওঁৰ বিয়া হয়।

ৰাজকুঁৱৰীৰ ঘৰলৈ যাবৰ সময় হোৱাত, তেওঁ ইউলিচিচক কলে যে ৰজাঘৰত ৰজাই তেওঁক সাদৰে অভ্যৰ্থনা কৰিব কিন্তু তেওঁ কুবৰীৰ লগত একেলগে ৰথত উঠি ঘোৰা দুবৈত থাওক এক সময়তে ৰাজধানীও সোমাব নোৱাৰে। সেই কথাতেই ইউলিচিচে কুঁৱৰীৰ ৰথৰ পিচে পিচে নবি লবি গৈ নগৰৰ সিংহদ্বাৰৰ ওচৰতে থকা এজোপা গছৰ তলত লুকাই থাকিল। কুবৰীয়ে নগৰ সোমোৱাৰ পিছত তেওঁ গছৰ তলৰ পৰা উঠি নগৰ সোমাব ওলাওঁতে পানী একলহ গৈ অহা

ছোৱালী এজনী লগ পালে। এই ছোৱালীজনীয়েই হৈছে তেওঁৰ ৰক্ষাকৰ্ত্তী দেবী মিনাৰ্ভা। মিনাৰ্ভাই তেওঁক বাট মানুহৰ অদৃশ্য কৰি দিলে কাৰণ ফিচিয়ান সকলে বিদেশী অচিনাকী মানুহক ভাল নাপায়। সেই বাবে তেওঁ নিৰাপদে গৈ ৰজা এলিমচৰ আগতে থিয় হল।

সমুদ্ৰ দেবতা নেপ্টুনৰ বংশ বুলি ফিচিয়ান ৰজা আৰু ৰাণীয়ে নিজে গৌৰব কৰে, আৰু সেইবাবেই তেওঁৰ প্ৰজা বোৰো সুদক্ষ নাবিক। ইউলিচিচে দেখিলে তেওঁলোকৰ বহুত ডাঙৰ ডাঙৰ বন্দৰ আছে আৰু সেই বন্দৰবোৰ জাহাজেৰে ভৰা। সেই জাহাজবোৰত উঠি ফিচিয়ান নাবিক সকলে সাগৰত যাতায়াত কৰে। তেওঁলোকৰ জাহাজবোৰ বৰ আচৰিত ৰকমৰ; কাৰণ সেই জাহাজগোৱত অন্য জাহাজৰ দৰে ওৰিয়াল বা গোৰ বঠাৰ আৱশ্যক নহয়। এই জাহাজগোৰৰ মানুহৰ দৰেই বিচাৰ-শক্তি আছে, আৰু নাবিকৰ মন বুজি আপোনা-আপুনি চলে। সেই জাহাজবোৰে সকলো দেশ আৰু সকলো নগৰ চিনি পায়, আৰু কোনোবেলা বিপদকে ভয় নকৰি নিৰ্ভীকচিত্তে সাগৰত অহাযোৱা কৰে।

ফিচিয়ান দেশৰ মুনিহবিলাক যেনেকৈ নৌবিজ্ঞাত পাৰ্গত, আন সকলো দেশৰ মানুহতকৈ শ্ৰেষ্ঠ, সেইৰকমে সেই দেশৰ তিৰোতাবোৰো তিৰোতাই জানিব লগীয়া কাপোৰ বোৱা আৰু সূতা তুলা আদি কামত আন দেশৰ তিৰোতাতকৈ শ্ৰেষ্ঠ। তেওঁলোকে নিজেই স্বীকাৰ কৰে যে তেওঁলোক যুদ্ধবিদ্যাত পাৰ্গত নহয়, তেওঁলোকে নাচ গান আৰু ভাল খাদ্য ভক্ত, আৰু আন জাতিয়ে বিহক গৌৰব বুলি ভাবে তাক তেওঁলোকে ক্ষেপকে নকৰে। ৰাজহাউলী আৰু তাৰ চাৰিওপিনে থকা বাগিছাবোৰ বিলাসিতাৰ উপকৰণেৰে ভৰপুৰ। ৰাজপ্ৰাসাদৰ চাৰিওপিনে ফুল আৰু ফলৰ বাগান আৰু প্ৰত্যেক গছেই সেই ঋতুত হোৱা ফলফুলে ভৰা।

ৰজাঘৰত সোমাই ইউলিচিচ বিস্মিত হল। ঘৰ সোমাবেই চন্দ্ৰ সূৰ্য্যৰ পোহৰৰ দৰে এটা পোহৰে গোটেইটো ঘৰ পোহৰ কৰি থকা দেখিলে, সেই ঘৰটোৰ মুখৰ বৰ ওখ, ঘৰৰ চাৰিওফালে উজ্জ্বল পিতলৰ দেৱাল। সেই দেৱালবোৰৰ মুখৰ ওপৰত থকা সেউজীয়া উজ্জ্বল কিবা এডোখৰত মিলিছে, সেই ঘৰৰ দুবাৰ বিলাকৰ চৌকাঠ সোণৰ; দুবাৰ খলিবোৰ আৰু স্তম্ভবোৰ ৰূপৰ, মজিয়াখন পিতলৰ। দুবাৰৰ দুফোপিনে বিশ্বকৰ্ম্মাই সোণ-ৰূপেৰে সজা কুকুৰবোৰ চম্ভবীৰ দৰে থিয় হৈ আছে। দেৱালৰ কাষে কাষে শাৰী শাৰীকৈ উজ্জ্বল সিংহাসন পতা আছে। সেই সিংহাসন বিলাকৰ ওপৰত বহু মূল্যবান আৰু বনকৰা কাপোৰ থৈ দিছে। সেইবোৰ সিংহাসনত বহি ফিচিয়ান বিষয়া সকলে ভোজ খায়, সোণৰে সজা মানুহৰ মূৰ্ত্তিবোৰৰ হাতে হাতে অলি থকা আবিয়াবোৰ; সেই আবিয়াৰ পোহৰত ৰজাই ৰাতি ভোজ খায়। ৰজাঘৰত ৫০ জনী সুন্দৰী বান্দী, তাবে কিছুমানে ৰাতত পিচি কটৰ নিমিত্তে ময়দা গুৰি কৰে আৰু কিছুমানে তাঁতশালত সুন্দৰ কাপোৰ বয়।

ৰজা এল্‌কিনচে সোণৰ সিংহাসনত বহি মদ পি আছে। তেওঁৰ কাষতে বহি ৰাণা এবিটিয়ে উল সূতাৰ বন কৰিব লাগিছে,এনেতে ৰাজকুঁৱৰীৰ উপদেশ মতে ইউলিচিচে ৰজাক ডেৱাই ৰাণীৰ ভৰিত দীণত দি পৰিল, এনেতে মিনাৰ্ভাই যি কুবলীয়ে ভাবি তেওঁক মানুহৰ অদৃশ্য কৰিছিল সেই কুবলী পৰি গল আৰু ৰাজসভাত থকা সকলো মানুহে এনেকৈ আচৰিত ৰকমে হঠাৎ এজন অচিনাকী মানুহৰ আবির্ভাব হোৱা দেখি, তেওঁৰ পিনে তথ হৈ চাই থাকোতে জাহাজ ডুবি-ৰক্ষা পৰা এজন বিদেশী মানুহ বুলি কৈ তেওঁলোকৰ ওচৰত আশ্ৰয় ভিক্ষা কৰিলে আৰু সেই সময়ৰ ভিক্ষাবীৰ ৰীতিমতে জুহালৰ কাষৰ শিল এটাৰ ওপৰত বহিল। এই কথা শুনি ৰজাই অতিথি শুশ্ৰূষাৰ উপযুক্ত আয়োজন কৰিলে আৰু এজন পুতেকক উঠি সন্মানৰ ঠাই অতিথিক এৰি দিব দি কলে যে যদিহে তেওঁ মানুহ হয় তেনেহলে তেওঁৰ প্ৰাৰ্থনা পুৰণ কৰা হয়, কিন্তু তেওঁ কোনো ছদ্মবেশী দেবতাও হব পাৰে, কাৰণ দেবতাসকলে ফিচিয়ান সকলৰ লগত জনাশুনা হবৰ নিমিত্তে বহুত সময়ত ছদ্মবেশে তেওঁলোকৰ লগত ভোজ খাব আহে। তেতিয়া ইউলিচিচে উত্তৰ দিলে "মহাৰাজ, এই ভোক বোলা প্ৰবৃত্তিটো অতি নিলজ্জ কাৰণ নিজে বিষানেই শোক বা দুখত কাতৰ হওঁ, তথাপি ই আমাৰ

অনিচ্ছাস্বত্বেও আমাক ভাত আক পানী বিচৰিব বাধ্য কৰে। চাওক মহাৰাজ, মই অতি হতভগা, মোৰ অন্তৰ অংশৰ দুখ আক শোকত কাতৰ; তথাপি এই ভোকে মোক সেইবোৰ বলেৰে পাহৰাই খাণ্ড বিচৰাৰ বাধ্য কৰে, আক মই যিমানেই দিণ্ড তাত সন্তুষ্ট নহৈ আক বেছি বিচাৰে।"

এই কথা শুনি ৰজাই তৎক্ষণাৎ তেওঁক সকলো ৰকম চৰ্ব্ব-চুষ্য-লেহ্য-পেয় দি সন্তুষ্ট কৰিলে। বাণীয়ে তেওঁৰ নিজ হাতে বোৱা কাপোৰ আক তেওঁৰ বান্ধোবোৰে বোৱা কাপোৰ ইমানেই ভাগঁকৈ চিনি পাইছিল যে খাই থাকোতে আলহীজনৰ গাৰ কাপোৰবোৰত বাণীৰ নজৰ পৰাত, সেই কাপোৰবোৰ ৰাজভৱালৰ বুলি চিনি পাই ৰৰ আচৰিত হ'ল। বাণীয়ে কাপোৰৰ কথা উল্লেখ কৰাত ইউলিচিচে ৰাজকুমাৰীৰ লগত আগে দেখা-হোৱা কথা স্বীকাৰ কৰি তেওঁক ৰৰ প্ৰশংসা কৰিলে। ইউলিচিচৰ কথা-বাৰ্ত্তা, কচি আক বিবেচনা শক্তিত ৰজা মুগ্ধ হ'ল আক তেতিয়াই কলে যে ইউলিচিচক জোৱাই কৰি সদায় নিজ ৰাজ্যত ৰাখিব পাৰিলে তেওঁ ৰৰ সুখী হ'ল হেতেন। ইউলিচিচৰ আগত এনে প্ৰস্তাৱ ইয়াৰ আগত বহুতো হৈছে, সেইবাৰে তেওঁ অলপো লাজ নকৰি বৃদ্ধি কৰি সেই প্ৰস্তাৱক কোনো উত্তৰ নিদি ৰজাক অনুৰোধ কৰি তেওঁক নিজ দেশলৈ পঠিয়াৰ প্ৰতিজ্ঞা কৰাই ললে। খোৱা হোৱাত তেওঁ শুৰৱ নিমিত্তে বাণীয়ে নিজে বান্ধীবিলাকক উপদেশ দি দুগ্ধফেননিভ শয্যা পতাই দিয়ালে।

ৰজাই পিছদিনাখন অতিথিৰ সম্মানৰ অৰ্থে নানা ৰকম খেল আক ৰৰ ডাঙৰ ভোজৰ আয়োজন কৰিলে। আন আন বিষয়সকলৰ লগত কথা চাবণ ডিমোডিকাচে ভোজত বহি বীণ বজাই গান গালে। ৰজাৰ পুতেকহঁতে সসম্মানে চাবণৰ হাতখন বীণত লগাই দিলে আক বছা বছা ভাল খাদ্যবোৰ ভোজন কৰিব দিলে। চাবণে ট্ৰয়যুদ্ধৰ বিষয়ে গান গাইছিল, কাৰণ সকলো মানুহে সেই বিষয়টো ৰৰ পছন্দ কৰে। সেই গান শুনাত ইউলিচিচৰ বহুত পুৰণি কথা মনত পৰিল আক সেই 'কাপেচ চকুৰ পানী টুকিব ধৰিলে আক আনৰ ওচৰত চকুৰ পানী লুকাবলৈ তেওঁ মুখত কাপোৰ দিয়াত ৰজাই সেইটো লক্ষ্য কৰিলে; কিন্তু অতিথিক কোনো ৰকম প্ৰশ্ন সুদুখি তৎক্ষণাৎ ভোজৰ পৰা উঠি খেল আৰম্ভ কৰিব হুকুম দিলে। সেই আদেশ মতে সৰ মৰা, মল্লযুদ্ধ, লোহাৰ চাকা দলি মাৰা আদি বহুত খেল হ'ল আক প্ৰত্যেকতে ৰাজপুত্ৰ সকলে যোগ দিলে। ইউলিচিচে এপিনে থিয় দি চাই আছিল, শেহত সকলোয়ে তেওঁক নিজৰ বলৰ বা কৌশলৰ পৰিচয় দিব কলে। ইউলিচিচৰ মন বেয়া লাগি আছিল, সেইবাৰে তেওঁ অস্বীকাৰ কৰিলে। তেতিয়া মল্লযুদ্ধজয়ী ইউৰিলিয়াচে কলে যে তেওঁ নিশ্চয় বেগাৰী, জাহাজৰ অধ্যক্ষ আক কেৱল জাহাজৰ বোজাৰ বিষয় হে খৰৱ জানে, এইবোৰ গৌৰৱপূৰ্ণ কাৰ্য্যত তেওঁ কোনো খৰৱ নাপায়। তেতিয়া ইউলিচিচে তেওঁক নিন্দা কৰি কলে "তুমি নিশ্চয় মূৰ্খ, নাজানা নে যে ঈশ্বৰে সকলো মানুহকে সমানে সৌন্দৰ্য্য, বাগ্মিতা আক মহান হৃদয় নিদিয়ে? কোনো এজন মানুহ দেখোঁতে ৰৰ কুৰূপ কিন্তু তেওঁৰ জিভাত ঈশ্বৰে এনে মনোমুগ্ধকৰ বাক্‌শক্তি দিছে যে কথাত মুগ্ধ হৈ সেই কুৰূপ পুৰুষকো সকলোৱে ভক্তি কৰে। আক আন এজনক ঈশ্বৰে এজন দেৱতাৰ দৰে বাহ্যিক ৰূপ দিছে, কিন্তু তেওঁ সেই ৰূপৰ উপৰোধ্য কথা কব নাজানে। তুমিও তেনে, তোমাৰ বাহ্যিক সৌন্দৰ্য্যত এজন দেবতায়ো অলপ খুত ধৰিব নোৱাৰে কিন্তু তোমাৰ বুদ্ধিবৃত্তি হলে অকণো নাই।"

ইয়াকে কৈ যি বীৰে মহাবীৰ এজায়কো মল্লযুদ্ধত পৰাজয় কৰিছিল, আক বহুতো প্ৰতিদ্বন্দ্বীৰ ভিতৰত বীৰত্বৰ পুৰস্কাৰ স্বৰূপে একিলিজৰ দেবনিৰ্ম্মিত বৰ্ম্ম আক শিৰস্ত্ৰাণ পুৰস্কাৰ লাভ কৰিছিল সেই বীৰে থং কৰি থিয় হৈ তেওঁৰ বল পৰীক্ষা দিব ওলাল। গাৰ পৰা চোলাটো নখহোৱাকৈয়ে এটা শিলৰ ৰৰ গধুৰ চকা হাতত লৈ এপাক মাৰ মাৰি আনবোৰৰ যিমান দূৰলৈ মাৰিছিল, তাতকৈও বহুত দূৰলৈ পঠালে। সুৰৰ ওপৰেদি চকাটো যেতিয়া ভোঁ কৰি গুচি গল তেতিয়া দৰ্শক সকলে ভয়তে মুখ চোৱালে। তেতিয়া ইউলিচিচে সকলোকে তেওঁলোকৰ ইচ্ছামৃত্যুত খেলত ইউলিচিচৰ প্ৰতিদ্বন্দ্বী লবলৈ আহ্বান কৰি কলে যে মানুহে জনা সকলো ৰকমৰ খেলতে তেওঁ পাৰ্গত।

কোনোয়ে তেওঁৰ আহ্বান গ্ৰহণ নকৰিলে। ৰজাই

এনেকৈ ইউৰিলিয়াচৰ অপমানৰ উপযুক্ত প্ৰত্যুত্তৰ দিয়াৰ বাবে ইউলিচিচক প্ৰশংসা কৰি কলে যে তেওঁৰ প্ৰকাৰো নাও চলোৱাত, আক বিশেষকৈ দৌৰত আক নাচত হে ৰৰ পাকৈত, কিন্তু শাৰীৰিক পৰিশ্ৰমৰ কামত কোনো ৰকম গৌৰৱ কৰিব নোৱাৰে। তেতিয়া ৰজাৰ হুকুম মতে কেইজনমান ডেকাই লগ লাগি নৰিব ধৰিলে, চাবণ ডিমোডিকাচে মাৰ্জ্জি আক জিনাচৰ গুপ্ত প্ৰেম আক তেওঁলোকে ধূৰ্ত্ত ভালকানে পতা জালত ধৰা পৰাৰ বিষয়ে গান গালে। শেহত ডজন ৰাজপুত্ৰয়ো এটি নাচ দেখুৱাত ইউলিচিচে ৰজাৰ আগত নাচব বহুত প্ৰশংসা কৰিলে। শেহত ৰজা আক তেওঁৰ বান্ধৱ বিষয়ই তেওঁক নানাৰকম বহুমূল্যয়া উপঢৌকন দিলে। ইউৰিলিয়াচে অপমান কৰাৰ বাবে অদ্ভুতপ্ত হৈ তেওঁৰ হাতীদাঁতৰ খাপটোৰে সৈতে ৰূপৰ নলীয়া তৰোৱালখন উপঢৌকন দিলে।

খেল শেষ হোৱাত সকলো আকৌ ভোজত বহিল। গা ধুই উঠি ইউলিচিচে ভোজলৈ যাওঁতে বাটত সুন্দৰী নচিকাক লগ পালে। তেওঁ এটা ৰুস্তত হেলান দি থিয় হৈ আছিল, এনেতে মানুহ বোৱা গন্ধ পাই ফিৰি চাওঁতে ইউলিচিচক দেখা পাই দেবী মিনাৰ্ভাই দিয়া ৰূপত মুগ্ধ হৈ তেওঁৰ পিনে কিছু সময় চাই থাকি কলে "বিদেশী অতিথি, তেতিয়া তুমি পুনৰায় তোমাৰ দেশ আক পত্নীক পাবাগৈ তেতিয়া যেন মোক পাহৰি নোযোৱা; কাৰণ প্ৰথমে মযে তোমাৰ জীৱন ৰক্ষা কৰিছিলো।" তেতিয়া ৰাজকুমাৰীক তেওঁ উত্তৰ দিলে "ৰাজপুত্ৰী! যদি ৰজাধীৰী ছুপিটাৰৰ এনে ইচ্ছা হয়ে যে মই আকৌ স্বদেশ আক মোৰ মৰমৰ সৰা-তিকতাক দেখা পাওঁ, তেনেহলে মই তাত তোমাক চিৰজীৱন দেবী স্বৰূপে পূজা কৰিম, কাৰণ তুমিহেই মোক ভীষণ মৃত্যুৰ পৰা ৰক্ষা কৰিছা।" এনেকে নচিকাৰ ওচৰত বিদায় লৈ তেওঁ ভোজত ৰজা এলিনউৰ ওচৰত বহি কথা চাবণ ডিমোডিকাচক বহু প্ৰশংসা কৰিলে আক শেহত তেওঁক ট্ৰজান যুদ্ধৰ সেই আচৰিত কাঠৰ ঘোৰাটোৰ বিষয়ে গান গাব অনুৰোধ কৰিলে। চাবণে গাব ধৰিলে কেনেকৈ গ্ৰীক সকলে বলেৰে ট্ৰয় সৰ নোৱাৰি চাতুৰিৰ আশ্ৰয় ললে, কেনেকৈ:তেওঁলোকে এটা ৰৰ ডাঙৰ কাঠৰ ঘোৰা সাজি তাৰ ভিতৰত বহু অস্ত্ৰধাৰী সৈন্য ভৰাই লৈ দেবতাসকলৰ উদ্দেশ্যে উহৰ্গা কৰা দেশ দেখুৱাই ঘোৰাটো তাতে এৰি, নিজৰ শিবিৰত জুই লগাই দি দেশলৈ উকতি ঘোৰা যেন দেখুৱাই জাহাজত পাল তৰি দিলে, কেনেকৈ ট্ৰজান সকলে বহু সন্দেহ কৰি অৱশেষত সেই ঘোৰাটো নগৰৰ ভিতৰলৈ টানি নিলে, কেনেকৈ ঘোৰাৰ পেটৰ পৰা চিপাইটোৱে ওলাই ট্ৰয়ত জুই লগাই দি নগৰবাসীক হত্যা কৰিলে। এইবিলাক বৰ্ণনাত স্বয়ং ইউলিচিচ নায়ক। যিদল সৈন্যই নিজৰ জীৱন হাতত লৈ ঘোৰাৰ ভিতৰত লুকাই আছিল, আক যিবলে পেচিৰ মৃত্যুৰ পিচত হেলেনক তিকতা কৰি কথা তেওঁৰ ভাইয়েক ডেইফোবাচৰ ঘৰ আক্ৰমণ কৰি স্বাটান্ বাণী হেলেনক উদ্ধাৰ কৰি নিজৰ স্বামীৰ হাতত প্ৰত্যৰ্পণ, কৰিছিল, সেই দল সৈন্যৰ এওঁই নায়ক আছিল। পুনৰায় অতিথিৰ চকুৰ পৰা পানী ওলোৱা দেখি, ৰজাই চাবণক গান এৰিব কলে, কাৰণ তেওঁ অনুমান কৰিছিল যে গান শুনি অতিথিৰ কিবা দুখৰ কথা মনত পৰিছে। এতিয়া ৰজাই তেওঁৰ পৰিচয় দিব অনুৰোধ কৰিলে, ট্ৰজান যুদ্ধৰ বিষয়ক শুনিলে তেওঁৰ মন কিয় চঞ্চল হয়? তেতিয়া ইউলিচিচে উত্তৰ দিলে "মহাৰাজ, আপোনাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ হলে প্ৰথম দুখৰ দীঘল ইতিহাস হব, মযে লেটিচৰ পুত্ৰ ইউলিচিচ্।" ইয়াকে কৈ নিজৰ ভ্ৰমণ বৃত্তান্ত আৰম্ভ কৰিলে।

চীন-জাপান যুদ্ধ



জাপানী আর্ণার্ড কার এখনে নানি-নৈর যুদ্ধত চীনা সৈন্য ধ্বংস করিব লাগিছে।



চীন-জাপান যুদ্ধ লগার ওলপ পিছতে জাপানর সামরিক বিভাগে টোকিওর সামরিক বিভাগক মাঞ্চুরিয়ার অবস্থা তদন্ত করিবলৈ আহ্বান করে। মুখডেনর ওচরত দখিণ মাঞ্চুরিয়া রেলরে লাইনর কাষেদি এজাক বনুয়া চিপাহী যার ধরিছে।



জাপানে যুদ্ধত জয়ী হোরার লগে লগে চীনর অধিকার করা ঠাইবোর নিরাপদে রাখিবলৈ দুর্গ সাজি গৈছে। টিন্‌চিন বোলা ঠাইর এই এটা এনে জাপানী দুর্গ।



যুদ্ধত আহত হোরা চীনা সৈন্যবোৰক তাহচিতত জাপানী সৈন্যই পহরা দি আছে।



জাপানী সৈন্যবিদাকে শত্রুপক্ষক আক্রমণ করিবলৈ নানি-নৈর ওচরেদি রেল-আলি চেরাব ধরিছে।



জাপানীসকলর হাতত পরা চীনর যুদ্ধর অস্ত্র-শস্ত্র, টোকিওর প্রদর্শনীত দেখুরা হৈছে।

নগাওঁ জয়মতী উৎসৱৰ সভাপতিৰ অভিভাষণ

—শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা

পূজনীয়া আইসকল আৰু উপস্থিত ভদ্ৰমণ্ডলী !

বহুত দিনৰ মূৰত ঘৰ এৰি কেদিনমানৰ কাৰণে ফুৰিবলৈ ওলাই আহি, এই নগাৱঁত পৰা জীজনীৰ ঘৰেদি গুৱাহাটী পামগৈ বুলি ভাবি আহিছিলো; পিছে কিন্তু সেয়ে হৈ নুঠিলগৈ। আমাৰ মানুহে কয় বোলে "আইৰ ঘৰলৈ যাম, দুই হাতে খাম, বিধিয়ে বোলে পাছে পাছে যাম।" মোৰ ভাগ্যতো ঠিক সেয়েই হল,—উদ্দেশ্যত বিধিয়ে পথালি দিলে। মই আহিয়েই ভৰিৰ বিষৰ বেমাৰত পৰি শয্যাগত হৈ, পদূলিমূৰলৈকে ওলাব নোৱাৰাত পৰিলোহি। সেই শয্যাগত অৱস্থাতে আইসকলে গৈ বাঘে ধৰাদি ধৰি, আজিৰ এই "জয়মতী তিথি" সভালৈ টানি আনি আপোনাসকলৰ আগত থিয় কৰি মোক বিপাঙ্গত পেলাই দিছেহি। মই এতিয়া নিৰুপায়।

সি যিকি নহওক—আপোনালোকৰ "জয়মতী তিথি"ৰ এয়ে প্ৰথম উৎসৱ। ইয়াৰ পৰাই আপোনাসকলৰ "জয়মতী-তিথি-বুৰঞ্জী" আৰম্ভ হ'ব। এই প্ৰথম উৎসৱৰ মোক পূজাৰী পাতি আপোনালোকে মোক তৰিবলৈ নিদি কক্‌বকাই মৰিবলৈ দিলেহে যেন পাইছো। মোৰ ভয় হয়, মই আপোনালোকৰ উৎসৱ-বুৰঞ্জীৰ আদি পাততে কাপ তিয়াই, সোণালী বুৰঞ্জীত চেকা লগালো মাথোন। মোৰ ভগ্ন শৰীৰ, আৰু তাৰ স্বাভাৱিক আনুষঙ্গিক স্ফূৰ্ত্তিশূন্য দুৰ্ব্বল মনেৰে সজ উপদেশ দি, আৰু বুৰঞ্জী আদি ঘুলুকি তাৰ লাগতিয়াল সম্বল গোটাই সাজু হৈ নথকা অৱস্থাত, মই নেতৃত্ব দিব পাৰিম বুলি কেতিয়াও আশা কৰিব নোৱাৰো। মোক আজি সভাপতি পতাৰ কাৰণে, এই উৎসৱৰ কাৰ্য্যত যি খুঁত ৰৈ যাব, তাৰ কাৰণে মই দায়ী নহওঁ, দায়ী মোক বাঘে-ধৰা দিয়া আপোনালোকৰ আই সকলহে। সাদৰক নেওচিব নাপায়, সেই কাৰণে নৰিয়া গাৰেই আপোনাসকলৰ মাজত আহি থিয় হ'লোহি। মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সাদৰ-সম্ভাষণ আপোনালোক সকলোৱেই যেন গ্ৰহণ কৰে।

আজি সাধ্বী সতী জয়মতী কুঁৱৰীৰ তিৰোভাবৰ তিথি। দেশৰ সন্তানে বীৰপুৰুষ, বীৰ ৰমণীক পূজা কৰিবলৈ শিকিলে,—মানীক মান কৰিবলৈ শিকিলে,—গুণীৰ গুণৰ পূজা কৰিবলৈ শিকিলে, আদৰ্শক পূজা কৰিবলৈ শিকিলে; অন্যফালে নহলেও মানসিক আৰু আধ্যাত্মিক ফালৰ পৰা দেশৰ উন্নতি অনিবাৰ্য্য। বীৰপূজা মানেই জানিব লাগিব দেশৰ সন্তানৰ অন্তৰত আগলৈ আগুৱাবলৈ ধাউতিৰ দোকোলটঁকা ধল উঠিছে।

আজি যাৰ নামত ভক্তিৰ অঞ্জলি দিবৰ নিমিত্তে আমি সকলোটি আহি ইয়াত গোট খাইছোঁহিহঁক, তেওঁৰ বংশ-পৰিচয় আৰু কাৰ্য্যকলাপ আদিৰ বিষয়ে সকলোৱে শুনা থাকিলেও, সেই সম্পৰ্কীয় কেটামান কথাৰ চমু আলোচনা নকৰিলে, এই অভিভাষণ সম্পূৰ্ণতাৰ অলপ আতৰত থাকিব যেন অনুমান হয়। গতিকে সেই বিষয়ে যথাসম্ভৱ চমুকৈ কেইআষাৰমান কবলৈ আগ বাঢ়িলো।

জয়মতী কুঁৱৰীৰ 'কুঁৱৰী' শব্দটো লৈয়েই অলপ কব লগীয়া কথা আছে। অনেকে ভাবে যে গদাপাণি 'কোঁৱৰ'ৰ ঘৈণীয়েক বুলি জয়মতীক "কুঁৱৰী" বোলে; কিন্তু প্ৰকৃততে সি সঁচা নহয়। "কোঁৱৰ"ৰ ঘৈণীক (অন্ততঃ জয়মতী যি সময়ৰ মানুহ) 'কুঁৱৰী' নোবোলে, "কোঁৱৰনী" হে বোলে। লৰাৰজাৰ ভয়ত পলাই যোৱাৰ আগত গদাপাণি চাৰিং-ৰজা আছিল। চাৰিংৰজাৰ ঘৈণীক "চাৰিঙ্গীয়া কুঁৱৰী" বোলে। গতিকেই চাৰিং-ৰজাৰ ঘৈণী বুলিহে জয়মতীক কুঁৱৰী বোলা হৈছিল,—গদাপাণি "কোঁৱৰ"ৰ ঘৈণী বুলি নহয়।

জয়মতীৰ বংশ-পৰিচয় লৈও আমি এতিয়া অলপ

বিপাঙ্গত পৰিছোঁহঁক। লৰাকালত আমি বুঢ়ী আইতা-হঁতৰ মুখে শুনিছিলো, তেওঁ হেনো বৰগোহাই পৰীয়া গোহাঁইৰ জীয়ৰী আছিল। তাৰ পাছত শ্ৰদ্ধাস্পদ শ্ৰীযুত পদ্মনাথ বৰুৱাৰ ছপা হোৱা বুৰঞ্জীত দেখা গল, তেওঁ লাই-থেপেনা বৰগোহাই ডাঙ্গৰীয়াৰ জীয়েক। কাশীনাথ তামুলী ফুকন আৰু ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰ বুৰঞ্জীত সেই সম্বন্ধে একো কোৱা হোৱা নাই। বুৰঞ্জী এখন সংগ্ৰহ কৰো বুলি পুৰণি সম্বল গোটাওঁতে আদাবৰীয়া সন্দিকৈ ফৈদৰ বংশাৱলী এখন আমাৰ হাতত পৰেহি। সেই বংশাৱলীখনত জয়মতী ৰাণীৰ নামটো পোৱা যায়। তদুপৰি প্ৰাচীন বুৰঞ্জীয়ে কয় যে ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ কুঁৱৰী এগৰাকী লাইথেপেনা বৰগোহাঁই ডাঙৰীয়াৰ জীয়েক আছিল। গতিকেই জয়মতীক লাইথেপেনা বৰগোহাঁইৰ জীয়েক বুলি সঠিককৈ ধৰাটোত অলপ সংশয় উপস্থিত হৈছে। জয়মতীক লাইথেপেনা বৰগোহাঁইৰ জীয়েক বুলি ধৰি ল'লে, তেওঁৰ পুতেক লাই গোহাঁয়ে (বা ৰুদ্ৰসিংহ স্বৰ্গদেৱে) মাহীয়েকক বিয়া কৰোৱাটো হয়। কিন্তু ৰুদ্ৰসিংহৰ ৰাজত্ব কালত হিন্দুৰ আচাৰ-ব্যৱহাৰেৰে সকলো কাৰ্য্য হোৱাত, তেখেতে মাহীয়েকক বিয়া কৰোৱাটো সম্ভৱপৰ বুলি মনে নধৰে। সকলো প্ৰকাৰে খুকুৰি ভাঙ্গি—সকলো তৰ্ক সমস্যাৰ আঁচনি ভালকৈ ফঁহিয়াই দেখুৱাই কথাটো পৰিষ্কাৰ কৰিবলৈ বুৰঞ্জীমূলক ভাল সম্বল এতিয়াও সংগ্ৰহ কৰিব নোৱাৰাত মীমাংসাৰ ভেঁটি আমি এতিয়াও ভালকৈ বান্ধিব পৰা নাই এখোন। সি যিকি নহওক, ইয়াৰ এটা সঠিক মীমাংসাৰ অভাৱে কিন্তু জয়মতীৰ পূজাত অলপো ব্যাঘাত জন্মাব নোৱাৰে,—জয়মতী য'তে যি বংশতে জন্মগ্ৰহণ কৰক, তেওঁ জগতৰ এগৰাকী অদ্বিতীয়া আদৰ্শ সতী। জয়মতী ভাৰতৰ, অসমৰ আৰু অসমীয়াৰ,—তাৰ পাছত জয়মতী আহোমৰ। তেওঁ বৰগোহাঁই পৰীয়া গোহাঁইৰ জীয়ৰীয়েই হওক বা লাইথেপেনা বৰগোহাঁই ডাঙ্গৰীয়াৰ আপোন জীয়েকেই হওক, বা আদাবৰীয়া সন্দিকৈ ফৈদৰ জীয়ৰীয়েই হওক তেওঁ এগৰাকী অসমীয়া তিৰোতা আৰু অসমৰ আদৰ্শ সতী। গুণৰ বা আদৰ্শৰ পূজাত জন্মৰ উচ্চতা, নীচতা আদি কথাই কেতিয়াও ঢাপসীমা মাৰিব নোৱাৰে।

ইং ১৬৭০ খৃষ্টাব্দত চক্ৰধ্বজ সিংহ স্বৰ্গী হোৱাৰ পাছৰে পৰা ইং ১৬৮১ খৃষ্টাব্দলৈকে এই ১১ বছৰৰ ভিতৰত আহোম ৰাজ্যত এটা ভয়ঙ্কৰ বিপ্লৱ হৈছিল। সেই কেই বছৰৰ ভিতৰত কোনো কাৰণবশত বৰুৱা-ফুকনবিলাক ৰাজকীয় ক্ষমতাৰ বিপক্ষ হৈ উঠিছিল। সেই কেবছৰৰ ভিতৰত যি কেইজন আহোম সিংহাসনত ৰজা হৈছিল, তাৰে কেইজন-মানে বৰুৱা-ফুকন আদি পাত্ৰ মন্ত্ৰীসকলৰ চক্ৰান্তত পৰি অকালত প্ৰাণত্যাগ কৰিব লগাত পৰিছিল আৰু কোনো কোনোজনে নিজে আত্মঘাতী হৈ ধিক্কাৰ-বেজাৰত প্ৰাণত্যাগ কৰিছিল। এই বিপ্লৱৰ সময়ত গদাপাণি চাৰিং-ৰজা হৈ আছিল। চাৰিংৰজাজন ইংলণ্ডৰ প্ৰিন্স্ অব ওৱেল্‌চৰ (Prince of Wales) নিচিনা। সাধাৰণতে ৰজা স্বৰ্গী হলে চাৰিং-ৰজাই ৰাজপাটত বহি ৰজা হবৰ প্ৰথা আছিল, এই নিয়মৰ ব্যতিক্ৰমো অৱশ্যে অনেক ঘটিছিল। চুডৈফা ৰজাক বৰুৱা-ফুকনসকলে চক্ৰান্ত কৰি ৰাজধানীতে বধ কৰাৰ পাছত, পাত্ৰ-মন্ত্ৰীসকলে তেওঁকে ৰজা পাতিব বুলি গদাপাণি চাৰিং-ৰজাই বৰ আশা কৰিছিল আৰু যথাৰ্থতে সিংহাসনৰ কাৰণে সেই সময়ৰ দেশ-কাল-পাত্ৰলৈ চাই, যোগ্যৱন্ত পাত্ৰও আছিল গদাপাণিহে। পিছে পাত্ৰ-মন্ত্ৰীসকলে তেওঁক ৰজা নাপাতি চামগুৰীয়া ফৈদৰ কটাৰিনলীয়া আৰু লৰামতীয়া চুলিক্‌ফা কোঁৱৰক আনি ৰজা পাতিলেহি। তাতে ব্যথিত হৈ গদাপাণিয়ে চাৰিং-ৰজাৰ বাব এৰি দি, গাৱঁৰ ঘৰত হালকোৰ বাই জীৱন যাপন কৰিবলৈ জয়মতী আৰু লাই-লেচাই নামৰ পুত্ৰ সন্তান দুটিক লৈ গুচি আহিল।

আহোম ৰজাসকলৰ ভিতৰত এনে এটা নিয়ম আছিল যে যদি কোনো ৰজাৰ কোঁৱৰৰ গাত অঙ্গক্ষত বা ঘা ফোঁহোৰাৰ চিন থাকে (অৱশ্যে ককালৰ পৰা ওপৰ ছোৱাত) তেনেহলে তেওঁ আৰু ৰাজপাটত উঠিব নোৱাৰে। ইয়াৰ মূল কাৰণটো হৈছে এই, যে ৰজাসকল অশুৱনি হোৱা উচিত নহয় আৰু ৰজাত কোনো বিকৃতি থকাটো অমঙ্গলসূচক মাত্ৰ। এই ৰীতিতো ৰজিতা খুৱাই চুলিক্‌ফা (বা লৰাৰজা) ই ৰজা হবৰ যোগ্য বহুত ৰজাৰ কোঁৱৰৰ অঙ্গ ক্ষত কৰালে। লৰাৰজাৰ এই নিদাৰুণ কাৰ্য্যত অনেক

ৰজাৰ কোঁৱৰে অকালত প্ৰাণ পৰ্য্যন্ত হেৰুৱালে। গদাপাণিত লৰাৰজাৰ চকু বৰ বেছিকৈ পৰিছিল। গদাপাণিত ৰজা হব পৰা লক্ষণ সম্পূৰ্ণৰূপে বিৰাজমান আছিল, আৰু খঙত চাৰিং-ৰজাৰ বাব এৰি অহাত তেওঁ প্ৰতিশোধ লয় বুলি লৰাৰজাই বৰ আশঙ্কাও কৰিছিল। এই কথা ক্ৰমে জয়মতীৰ কাণত পৰিলত, জয়মতীয়ে নানা সজ উপদেশেৰে বুজাই-মেলি দেশৰ আৰু জাতিৰ কল্যাণৰ অৰ্থে গদাপাণিক পলুৱাই পঠিয়ালে। লৰাৰজাৰ মানুহে ঘৰত গদাপাণিক নাপাই, জয়মতীক ধৰি আনি জেৰেঙ্গা পথাৰত কোঁটকৰা গছ এজোপাত বান্ধি ডোম-চোৰাত, মহছালৰ চমতা, তপত লো আদিৰে নানা অমানুষিক শাস্তি কৰিও, তেওঁৰ স্বামীগুৰু গদাপাণিৰ সন্ধান উলিয়াব নোৱাৰিলে। এই সম্পৰ্কে বিশদভাৱে মোৰ পূৰ্ব্ববৰ্ত্তী বক্তাসকলে আপোনাসকলৰ আগত কৈছে, গতিকেই সেইবিলাকৰ পুনৰুক্তিৰ আৰু আৱশ্যক নকৰে। জয়মতীয়ে সেই জেৰেঙ্গা পথাৰত চৈধ্য দিন শাস্তি খাই, স্বামীৰ প্ৰাণৰক্ষা কৰি অতি চেনেহৰ লাই-লেচাইক এৰি থৈ, চন্দ্ৰ-দিবাকৰক সাক্ষী কৰি চিৰকাললৈ চকু মুদিলে। জয়মতীৰ বিননিৰ গাত আজিও বৰাগীয়ে গায়।—

আকাশতে জলে তৰা, কাললৈ নুমালো
আজিৰে পৰা ॥
ধৰমক কৰিছোঁ সাক্ষী, স্বামীগুৰুক থাকক
বিপদত ৰাখি ॥
পোনাইঁত! আগবাঢ়ি আহাঁ,—
আইতাৰক চাই লৈ শেষবাৰ হাঁহাঁ ॥
এয়ে মোৰ চাহনি শেষ,
পোনাইঁত! ৰজা হৈ পালিবা দেশ ॥

এই গীত শুনিলে, এতিয়াও শৰীৰৰ প্ৰতি শিৰে শিৰে কি এক অনিৰ্ব্বচনীয় ভাবৰ স্পন্দন উঠে, আৰু চকুৰ পানী ধল বোৱাদি ববলৈ ধৰে!

স্বামীৰ কাৰণে প্ৰাণত্যাগ কৰা সতী জগতত বিৰল নহয়, কিন্তু স্বামী-সেৱাইদি দেশক ৰক্ষা কৰা সতী নিচেই কম। নিজে প্ৰাণত্যাগ কৰি স্বামী গদাপাণিৰ প্ৰাণ ৰক্ষা কৰি তেওঁক আৰু পুত্ৰ লাই গোহাঁইদেৱক ৰজা হবলৈ সুবিধা দি, দেশৰ বিপ্লৱ মাৰ নিয়াই জয়মতীয়ে আহোম ৰাজ্যত যি শান্তি স্থাপন কৰিলে, সেইটোৱেই হৈছে জয়মতীৰ সতীত্বৰ বিশেষত্ব। আৰু সেই কাৰণেই আজি অসমৰ প্ৰায় সকলো ঠাইতে তেওঁৰ নামত ভক্তিৰ অঞ্জলি প্ৰদান কৰা হৈছে।

কেৱল সতীয়েই নহয়, জয়মতী এগৰাকী আদৰ্শ গৃহিণী আৰু সন্তানৰ আদৰ্শ জননী আছিল। গদাপাণিয়ে চাৰিংৰজাৰ বাব এৰি অহাত বন্দী-বেটী আদি সকলো ধনসম্পত্তি লৰাৰজাই বাজেয়াপ্ত কৰি সিবিলাকক "নান্নং নবস্ত্ৰং নচবাৰিপত্ৰং" কৰিলে। জয়মতীয়ে তেতিয়া সামান্য পাইকৰ তিৰোতাৰ দৰে কাম-বন কৰি টক্-টুক টাক্-টাক্কৈ খাই-বৈ লৰা দুটিক সময়োপযোগী শিক্ষা দি গৃহস্থালীখন মহানন্দে চলাই আছিল। তেওঁৰ শিক্ষাৰ বলতে ৰুদ্ৰসিংহ স্বৰ্গদেৱ ইমান উদাৰ আৰু দয়াৱন্ত হৈ, বিপ্লৱপূৰ্ণ আহোম ৰাজ্যক ৰামৰাজ্যত পৰিণত কৰিব পাৰিছিল। এইজনা ৰজাৰ দিনতেই আহোম ৰাজ্যত পূৰা মাত্ৰাই শৃংখলাৰ সৃষ্টি হয়—জয়মতীৰ শিক্ষাত উদাৰ হৈয়ে এইজনা স্বৰ্গদেৱে ৰজাঘৰীয়া দায়িত্বপূৰ্ণ আৰু ওখ খাপৰ বিষয়বোৰ কেৱল আহোমতে আবদ্ধ নাৰাখি অন্যান্য অনাহোম জাতিবোৰলৈকো মুকলি কৰি দিছিল। দৌল দেৱালয় আদি আহোম ৰজাৰ কীৰ্ত্তিস্তম্ভ শান্তিসূচক কাৰ্য্যবোৰৰ আচল যুগ এই ৰাজত্বতে আৰম্ভ হয়। নেপোলিয়নৰ মাকে তাহানি কালৰ গ্ৰীছ দেশৰ বীৰসকলৰ বীৰত্বৰ সাধুকথা নেপোলিয়নৰ আগত সৰুকালৰে পৰা কৈ কৈ যেনেকৈ নেপোলিয়নক জগতে নাম শুনিলে ভয় কৰা বীৰ কৰি তুলিছিল, সেইদৰেই জয়মতীয়েও লাই গোহাঁই বা ৰুদ্ৰসিংহক সৰুৰে পৰা সজ উপদেশ দি ডাঙৰ কৰি এনেকুৱা সুশাসক কৰি তুলিছিল। জয়মতীৰ সতীত্ব, গদাধৰৰ বীৰত্ব আৰু লাই গোহাই বা, ৰুদ্ৰসিংহৰ ৰাজত্ব,—পতি-ভাৰ্য্যা-পুত্ৰ—এই তিনিৰ অপূৰ্ব্ব সম্মিলনেই অসম বুৰঞ্জীৰ আচল গৌৰৱ আৰু সৌন্দৰ্য্যৰ সফুৰা।

ৰুদ্ৰসিংহ স্বৰ্গদেৱে আইতাকৰ সতীত্বৰ আৰু পতিপ্ৰাণতাৰ সোৱৰণা ৰাখিবলৈ জেৰেঙ্গা পথাৰত আইতাকক শান্তি

দি মৰাৰ ঠাইত জয়সাগৰ নামে পুখুৰি খানি তাৰ পাৰত জয়দৌল নামে এক দ'ল কৰালে। সেই সতীৰ অক্ষয় কীৰ্ত্তি-স্তম্ভ স্বৰূপ জয়দৌলে আজিও সতীত্বৰ পতাকা উৰুৱাব লাগিছে, আৰু জয়াতীৰ্থ জয়সাগৰে আপোনালোকৰ আই সকলক তাত এজাবুৰ মাৰি সতীত্বব্ৰত গ্ৰহণ কৰিবলৈ যেন আজি ৰিঙিয়াই ৰিঙিয়াই মাতিছে। সুদূৰ পূবৰ পৰা কুৰুৱা বতাহৰ লগত সতীত্বৰ বান্দী যেন জয়দৌলে আজি আপোনা-লোকলৈ উৰুৱাই পঠিয়াইছে, আজিৰ যেন আকাশ—বতাহ এই সতীত্বৰ বাণীৰেই মুখৰিত ॥

জয়মতীৰ স্মৃতিচিহ্নৰ কথা ভাবিবলৈ গলে, স্বভাৱতে মনত এক প্ৰশ্ন উঠে। গদাপাণিয়ে নিজৰ জীৱদ্দশাত তেওঁৰ সাধ্বী সতী ভাৰ্য্যা জয়মতীৰ স্মৃতি ৰাখিবলৈ নিজে কিয় একো নকৰিলে? তেওঁনো ইমান হিয়াশূন্য বা অকৃতজ্ঞ আছিল নে? কিন্তু দকৈ ভাবি চাবলৈ গলে গদাপাণি তেনে অকৃতজ্ঞ নাছিল। আমি গদাপাণিৰ কৃতজ্ঞতাৰ ভুৰি-ভুৰিকৈ প্ৰমাণ পাইছো। গদাপাণি পলাই ফুৰোতে যি তেওঁক অলপ সময়ৰ নিমিত্তেও আশ্ৰয় দিছিল, তেওঁ পাছত ৰজা হৈ সকলোকে পুৰস্কৃত কৰিছিল। অধিক কি তেওঁক আশ্ৰয় দিয়া ৰহাৰ ৰহদৈ, তিপামৰ ভাদৈ আৰু শলগুৰিৰ আঘোণী বাইহঁতলৈকো তেওঁ পাহৰা নাছিল। তেওঁ ৰজা হৈ, বাইহঁতক মতাই পঠালে। সেই কালত, ৰজাঘৰলৈ মতা মানেই বিশ্বাস আছিল যে কিবা জগৰ লাগিল আৰু তাৰ বাবে শাস্তি কৰিবলৈ ৰজাঘৰলৈ মতাইছে। গতিকেই, শাস্তি বিহিবলৈ মাতিছে বুলি তিনিও বায়ে ৰাজচৰাত আহি মৃত্যুৰ ভয়ত ডিঙিত ধৰাধৰি কৰি কান্দিছিল। সেই কাৰণেই আজিও মানুহে যোজনাত কয়—

'ৰহাৰ ৰহদৈ, তিপামৰ ভাদৈ,
শলগুৰিৰ আঘোণী বাই,
তিনিৰো ডিঙিত ধৰি তিনিওৱে কান্দিছে।
সম্বন্ধৰ একোৱেই নাই ॥'

পাছে গদাপাণিয়ে সিহঁতক "বৰ পোহাৰী" বিষয় দি খাটপাম আদি বটা দিলে। ডিব্ৰুগড় অঞ্চলত "আঘোণী বাইৰ খাট" আৰু "আঘোণী বাইৰ বাৰী" আজিও আছে। তাৰ শলগুৰিৰ আলিটো ঠিক সেই "আঘোণী বাইৰ বাৰী"ত লাগিছেগৈ।

গদাপাণি পলাই ফুৰা অৱস্থাত, তেওঁৰ শেষ আশ্ৰয়ৰ ঠাই আছিল উমানন্দৰ দ্বীপ বা মাজুলি। গুৱাহাটীৰ বন্দৰ বৰফুকন তেওঁৰ ভিনীহিয়েক আছিল। গদাপাণি উমানন্দৰ মাজুলিত লুকাই থকা কথা বাইদেৱেকে কেনেবাকৈ খবৰ পাই তেওঁক তাৰ পৰা গোপনে অনাই বৰফুকনৰ হাতত অৰপি দিলেহি, আৰু বৰফুকনেও তেওঁক উজাই লৈ আহি ৰজা পাতিলেহি। উমানন্দত তেতিয়া শিৱলিঙ্গৰ থান আছিল মাথোন, তাৰ ওপৰত কোনো মন্দিৰ নাছিল। উমানন্দ এৰি আহোঁতে গদাপাণিয়ে তাত এইদৰে কৈ আহিছিল—"আশীৰ্ব্বাদ কৰিবি, ৰজা হব পাৰিলে, তোৰ ওপৰত মন্দিৰ সজাই দিম।" এই প্ৰতিজ্ঞা ৰক্ষা কৰি গদাপাণিয়ে পাছত ৰজা হৈ উমানন্দৰ দৌল নিৰ্ম্মাণ কৰালে।

পলাই ফুৰোঁতে জখলাবন্ধাৰ গোসায়ে গদাপাণিক এদিন এসাজ ভালকৈ খুৱাই আতিথ্য সৎকাৰ কৰিছিল। সেই কাৰণে গদাপাণিয়ে ৰজা হৈ তাৰ বুঢ়া গোসাইক কলঙ্গৰ পৰা পানী আনিবলৈ সুচল কৰি ইটাৰে খট-খটী জখলা বন্ধাই দিছিল। তাৰ পৰাই এই সত্ৰৰ নাম "জখলা বন্ধা সত্ৰ" হল,—আৰু সেই আতিথ্য সৎকাৰৰ কাৰণে গদাপাণিয়ে কৃতজ্ঞতাৰ নিদৰ্শন স্বৰূপ, জখলাবন্ধা সত্ৰৰ গোসাইক কিছুমান পাইকৰী কামৰ পৰাও অব্যাহতি দিছিল।

পলৰীয়া অৱস্থাত এদিন গদাপাণিয়ে বোকাখাটৰ টঙ্গা দলৈৰ ঘৰৰ পদূলিমুৰত থকা বাঁহ এজোপাৰ তলত বহি জিৰাইছিলগৈ। দলৈজন গণনাত ভাল আছিল। তেওঁ গদাপাণিৰ গাত ৰাজলক্ষণ দেখি, ভিতৰলৈ মাতি নি, খুৱাই বুৱাই, বৰ আদৰ সাদৰ কৰি কলে,—"আপোনাৰ আজি ৰজা হোৱাৰ যোগ পৰিছে,—আজি ৰজা নহলে, আপুনি আৰু ৰজা হব নোৱাৰিব।" এই বুলি এখন পীৰাৰ ওপৰত কাপোৰ এখন পাৰি দলৈ আৰু দলৈয়নী দুয়ো গৰাকীয়ে গদাপাণিক বহুৱাই ৰজা পাতি আঠু ললে। গদাপাণিয়ে তাত সন্তুষ্ট হৈ, ৰজা হ'লে, তেওঁক ডাঙৰ মানুহ কৰিম

বুলি শপত কবিলে, আৰু বজা হৈ গদাপাণিয়ে সেই প্রতিজ্ঞা সম্পূর্ণৰূপে বক্ষা কবিছিল।

গদাপাণিয়ে বজা হৈ বাজদ্রোহী বিলাকক শাস্তি দিছিলে। লবাৰজাৰ বিৰুদ্ধে থিয় দি বিসকলে তেওঁক বজা পাতিবলৈ সহায় কবিছিল, সেইবোৰকো তেওঁ বাজদ্রোহী বুলি শাস্তি দিলে। কিয়নো,তেওঁ ভাবিলে,যে তেওঁ দুৰ্ব্বল হলে, সেইখিনি মানুহেই আকৌ তেওঁৰ বিৰুদ্ধেও থিয় দিব পাৰে। অইন কি তেওঁৰ নিজৰ ভিনীহিদেৱেককো (যাৰ সহায়ত বজা হল) গদাপাণিয়ে নিৰ্ম্মাসিত কবিলে। গদাপাণিয়ে দেশখনক প্রথমে শত্রুশূন্য কবি নিষ্কণ্টক কবিবলৈ চেষ্টা কবিছিল, আৰু শান্তিসূচক কার্য্যখিনি তেওঁ পাছলৈ বাখিছিল। তেনেতে মুছলমান বিলাকে শেষবাৰ দেশ আক্রমণ কবে। তাত লাগি থাকোঁতেই গদাপাণিয়ে জয়মতীৰ সোৱাবৰী আদি শাস্তিৰ কার্য্যবোৰ হাতত লবলৈ সময় নাপালে। সময় পোৱা হলে তেওঁ প্রাণসমা ভার্য্যাৰ স্মৃতি নিশ্চয় বাখি গল হেতেন।

বুবজীৰ ফালৰ পৰা মোৰ বক্তব্যৰ ইমানতে অন্ত পৰিল। আজি জয়মতীৰ পূজাৰ দিন, আজি সতীত্বৰ পূজা—নাৰীত্বৰ পূজা আৰু মাতৃত্বৰ পূজা। আইসকল! আপোনালোকৰ আদর্শ হওক নাৰীত্ব আৰু মাতৃত্ব, ধর্ম্ম হওক সন্তান পালন আৰু পতিসেৱা,—কর্ম্মক্ষেত্র হওক, বিশেষকৈ, ঘৰখন আৰু ইয়াৰ কাৰণে সহ্যশক্তি হওক আপোনাসকলৰ ধৈর্য্য আৰু কষ্ট-সহিষ্ণুতা। জয়মতীৰ দৰে লালন পালন কবি সজ উপদেশ আদি দি, আপোনাসকলৰ লবাছোৱালী-বোৰক একো একোখাকি সুগন্ধি গোলাপফুল কবি তোলক। আপোনালোকে মনত বাখিব, পুৰুষ আৰু তিৰোতা ভিন ভিন কামৰ দ্বাবা পৰস্পৰৰ সহায়। ইয়াৰ যদি আপোনালোকে ভেদ ভাঙিবলৈ যায়, তেনেহলে আপোনালোকৰ সংসাৰত নিশ্চয় বেমেজালি ঘটিবৰ সম্ভাবনা। আপোনালোকে আৰু মনত বাখিব,—এই সংসাৰখন দুখ-দুর্গতিৰে ভবা,—জয়মতীৰ দৰে ধৈর্য্যশীলা আৰু কষ্টসহিষ্ণু হব নোৱাবিলে, আপোনালোক সংসাৰৰ ধামধুমীয়াত বুবি পানী খাই খাই জলাকলা হব লাগিব।

ঘৰৰ গৃহলক্ষ্মী, সন্তানৰ আদর্শ জননী আৰু স্বামীৰ সুভার্য্যা হবলৈ যেনেকুবা আৰু যিমানখিনি শিক্ষাৰ প্রয়োজন হয়, আপোনাসকলৰ ভিতৰত যেন তেনেকুবা আৰু অন্ততঃ সিমানখিনি শিক্ষা হয়। ভাৰতত আজি যি প্রণালীবে শিক্ষা দিয়া হৈছে সেই প্রণালী লবাৰ কাৰণেই উপযুক্ত নহয় বুলি জ্ঞানীসকলে হেজাৰ মুখেৰে হেজাৰ হেজাৰ বাৰ কৈ আছিছে। নিজৰ নিজত আৰু ধর্ম্ম কর্ম্ম পাহৰি এই প্রণালীৰ শিক্ষাৰ সোতত উটি উদ্ভেশ্যবিহীন হৈ গৈ-গৈ যেন এক অজান স্থানত আমাৰ ছোৱালীহঁতে ভৰি নিদিয়েকৈ গৈ,—এয়ে মোৰ পৰম আশা। মই এই কথা কোৱাত, মোক যেন আপোনালোকে স্ত্রীশিক্ষাৰ বিৰোধী ভাবি নলয়। মোৰ মতে স্ত্রী আৰু পুৰুষৰ শিক্ষা একেবকম হব নোৱাৰে। ইউৰোপত তেনে শিক্ষাৰ বিষয়ৰ ফল ভোগ কবিছে বুলি কলে মিছা কোৱা নহয়। শিক্ষাৰ লক্ষ্য হব লাগিব,—পুৰুষক আদর্শ পুৰুষ আৰু তিৰোতাক আদর্শ গৃহিণী বা আদর্শ তিৰোতা গঢ়ি তোলা। তিৰোতাসকলৰ ভিতৰত এনে শিক্ষা হব লাগিব যাৰ ফলত ভবিষ্যৎ জীবনত আমাৰ তিৰোতা জাতি জয়মতীৰ দৰে আদর্শ সতী, সন্তানৰ আদর্শ জননী আৰু সকলো সজ গুণ থকা গৃহিণী হব পাৰে।

আজিকালি বাজনীতিসূচক নাৰী স্বাধীনতাৰ কথাটো বৰকৈ ওলাইছে। 'দেশবাসীয়ে এই কথাত বেছি আৱশ্যকতা (বা গুৰুত্ব) আৰোপ কবাটো বেছি যুক্তিযুক্ত বুলি মই মোৰ ক্ষুদ্র বুদ্ধিবে ভাবিব নোৱাৰো। শতকবা দুই-এজনা তিৰোতাই বাজনীতি ক্ষেত্রত পুৰুষৰ দৰে কাম কবা হব পাৰাটোত কাৰো আপত্তি নাই, কিন্তু সেই বুলি "বিশেষত্ব"ক "সাধাৰণত্ব"ত পৰিণত কবিব নোৱাৰি। মাতৃত্বৰ আদর্শক প্রথম্ উদ্দেশ্য কবি আমাৰ ছোৱালীবিলাকক শিক্ষা দিলেনে জগতত নাৰীজাতিৰ কর্ত্তব্য ধর্ম্ম নষ্ট হব। মাতৃত্ব আদর্শটো প্রথম কথা, সেই কাৰণেই বোধ হয় আজিও জর্ম্মানী, ফ্রান্স, ইটালী, গ্রীছ আৰু চুইজাৰলেণ্ড আদি কিছুমান সুসভ্য দেশতো তিৰোতাৰ বাজনীতিক্ষেত্র স্বাধীনতা (woman franchise) নাই ; আৰু তাৰ কাৰণে সেইবোৰ দেশত তেনেকুবা কোনো আন্দোলনবো আৱশ্যক হোৱা নাই।

আগৰ কালত অসমীয়া তিৰোতাই নিজ হাতেবে সুতা কাটি কাপোৰ বই, তাবে যুদ্ধৰ সাজ তৈয়াৰ কবি, পুতেক-ইতক আৰু স্বামীক যুদ্ধলৈ পঠাইছিল। আজিও অসমীয়াৰ ঘৰে ঘৰে তাঁতশাল আছে, ই এক অসমীয়াৰ গৃহস্থালীৰ বিশেষত্ব। আজিও আমি অসমীয়া মানুহে আইতা, বৌনী, বাইদেও আৰু ভনীটীহঁতে বোৱা চেলেং, খনীয়া, গামোছা এবি মুগা পাট কাপোৰ প্রভৃতিৰ সাজ পিন্ধি আনন্দ উপভোগ কবিবলৈ পাইছোহঁক। ভগৱন্তৰ চৰণত প্রার্থনা কবিছোঁ যেন অসম সন্তানে এই আনন্দ উপভোগৰ পৰা বঞ্চিত হবলৈ নাপায়। আজিলৈকে অসমীয়া লবা-ছোৱালীয়ে স্নেহময়ী মাকৰ কোলাত, আলফুলকৈ কবা মাকৰ লালন-পালনত ডাঙৰ দীঘল হৈছে। আশা কবো, চিবকালেই যেন এইদৰেই ডাঙৰ দীঘল হবলৈ পায়, চবিত্রহীনা ধাই বা "আয়া"বোৰৰ হাতলৈ আমাৰ লবা-ছোৱালীবোৰ যেন নাযাবলৈ নাপায়। আইসকল! সদায় মনত বাখিব,—সন্তানে পাবলগীয়া হিয়াৰ কোমলতাবে আলফুলকৈ কবা আচল লালন-পালন মাকৰ বাহিবে আন কোনেও দিব নোৱাৰে। অসমীয়া লবা-ছোৱালীয়ে অন্নপূর্ণাকণা মাকৰ হাতৰ ভাত-পানী, পিঠা-পনা খাই ডাঙৰ দীঘল হয়। ভগৱন্তৰ চৰণত প্রার্থনা কবিছো, চিবকালেই যেন সিবোৰ সেইদৰেই খাই-মেলি ডাঙৰ হবলৈ পায়।

শেহত কামনা কবো আইসকল! আপোনালোকৰ যেন সর্ব্বাঙ্গীন মঙ্গল হয়, আৰু এই উৎসবে যেন বছবেকীয়া তিথিত পৰিণত হৈ দীঘল জীবন প্রাপ্ত হয়। জয়মতীৰ দেশৰ নাৰীজাতিৰ জয়-জয় ময়-ময় হওক।

সৃষ্টিৰ প্রথম অঙ্ক

—শ্রীযুত অপূর্ব্বকুমাৰ ভূঞা

—আদিম যুগৰ কথা।

নাৰী বাস কবে গহৱ কোটৰত, পুৰুষে হাবিয়ে-বনানিয়ে ঘুবি ফুবে আৰু চিকাৰ কবে।

নাৰীয়ে ভাবে, কি নিচুব সিটো! বুকুখন কেনে বহল! দেখিলেই ভয় লাগে। হাতত আকৌ সিবোৰ কি? চাবলৈ মন নাযায়, দেখা পালেও মুখ বিকটাই গুচি যায়।

পুৰুষে ভাবে, কি কুচ্ছ সিটো! নোৱাবে অকণ নবিব, নোৱাবে বাঘ-ভালুকৰ লগত যুজিব। অকল দিনবে দিনটো গহৱ কোটৰত হে বহি থাকে। সেয়ে তাৰ ভাল লাগে। অজ্ঞাতবে মুখ ঘুবায়। অ'ত-ত'ত কেতিয়াবা দেখা পালেও নেদেখা ভাও জুৰি গুচি আহে।

* * *

সিদিনা গছে গছে নতুন পাত, নতুন ফুল ফুলি উঠিছে। দখিণ মলয়া এছাটি ফুল-কুহিব বুকুত চুমা খাই, কুহিপাতৰ বুকুত শিহৰণ তুলি, মত্ত আবেগেবে লবি গৈছে—বিবহী প্রিয়াৰ উদ্দেশে। আকাশৰ কোলাত জোন উঠিছে। আকাশ-বতাহ জোনালী হৈছে। এফাকি জোনাক গছ-পাতৰ সুকঙাবে ধবাৰ বুকুত আহি আফলি পবিছে।

নাৰী বহি আছে এগনি নৈৰ দীতিত—বালিৰ ওপবত। একমনে কি যে ভাবিছে তেওঁ নিজেই নাজানে। হঠাৎ তেওঁৰ চকু পবিলগৈ নৈৰ পানীৰ ওপবত। দেখে যে মুবৰ ওপবত এটি জোন, পানীৰ তলিতো এটি জোন। দুয়োটা জোনেই কি সুন্দব—কি মনোহব! ইবাৰ কি যেন আনন্দৰ আবেগত তেওঁ উঠি থিয় হ'ল। তেওঁৰ ওচৰৰ সকলোবোৰ বস্তুবেই যেন বৰ ভাল লাগিল। কি

যেন সুন্দৰ খেলা ! চকু যুবাই চাৰিওপিনে দেখে যে গছে গছে নতুন ফুল ফুলি আছে। তেওঁ গছবপৰা দুল ছিণ্ডি আনি লতাৰে মালা গাঁথি মুৰত, গলত, বুকুত, কঁকালত আৰু ভৰিত পিন্ধিলে। তাৰ পিছত মুকলীমুৰীয়া বনৰ হৰিণাৰ দৰে উলাহ মনেৰে হাৰিৰ মাজে মাজে লৰি দুৰিবলৈ ধৰিলে।

আকৌ সেই গছৰ কোটৰলৈ গল কিন্তু যেন অকলশৰীয়া। আকৌ উভতি আহিল সেই নৈৰ ঘাটলৈ—জোনাইৰ ওচৰলৈ। ঘাটতে হঠাৎ দেখে, সেই কঠোৰ পুৰুষ। পুৰুষে দেখিলে যে নাৰী ধীৰে ধীৰে আহিবলৈ ধৰিছে। দুবেৰে পৰা দুয়ো দুয়োকে স্তব্ধ হৈ চাই ৰ'ল। তেতিয়া গছ-পাতৰ-সুৰুঙাৰ মাজেৰে জোনাক তেওঁলোকৰ দুয়োৰো মুখৰ ওপৰত আহি ঢলি পৰিছিল।

পুৰুষে দেখিলে তেওঁক যেন আগতকৈ দেখিবলৈ বহুত সুন্দৰ হৈছে। নাৰীয়ে দেখিলে যে তেওঁক সিমানখিনি কঠোৰ বুলি ভাবিছিল, তিমান নহয়।

দুয়ো তেতিয়া এখোজ দুখোজকৈ ক্ৰমে আগবাঢ়ি আহিল। ইটোৱে চকু সিটোৰ চকুত পৰিল—দেখিলে কি সুন্দৰ ! কুঁহিপাতৰ বুকুত শিশুৰ তুলি বতাহ লয়লাসে বৈ গ'ল। কিন্তু নীৰবে তেওঁলোক ইটোৱে সিটোক, সিটোৱে ইটাক একেথিৰে চাই ৰল। কিমান পৰ কোনেও কিন্তু নাজানে। যেতিয়া জ্ঞান হল, তেতিয়া প্ৰভাতী বায়ুত বিহগীৰ মধুৰ গীতে ভাহি ভাহি আহিবলৈ ধৰিছিল।

তাৰ পিছৰপৰাই পুৰুষে ভাবে নাৰীক কেনেকৈ সুখত ৰখা যায়।

নাৰীয়ে ভাবে, গছৰ কোটৰ আৰু ভাল নালাগে। পুৰুষে তেতিয়া গছৰ পাতেৰে ছেই, গছৰ ডালেৰেই বেড়ি এখন কুটীৰ ৰচনা কৰিলে।

সিদিনা পুৰুষ চিকাৰৰপৰা ঘুৰি আহিল, হাতত তেওঁৰ এখন পহুৰ ছাল। নাৰী অপাৰ আনন্দেৰে তেওঁৰ ওচৰত আহি থিয় হল।

পুৰুষে তেতিয়া ছালখন নাৰীৰ কঁকালত জাঁৰি দিলে।

তাৰ পিছত তেওঁক দেখি পুৰুষে হাততালি দি নাচিবলৈ ধৰিলে।

প্ৰথম লাজত নাৰীয়ে তলমুৰ কৰিলে।

* * *

নাৰীয়ে ভাবে, তেওঁ কেনেকৈ সুখক সুখী কৰিব। যেতিয়া পুৰুষ কুটীৰ এৰি চিকাৰলৈ যায়, তেতিয়া তেওঁ দুৱাৰদলিত বহি তেওঁৰ প্ৰতীক্ষাত বাটলৈ চাই থাকে। যেতিয়া ঘুৰি আহে তেতিয়া হাঁহিমুখে তেওঁক অভ্যৰ্থনা কৰে। ফল-মূল আনি তেওঁৰ আগত ধৰে। অকলে অকলে খাবলৈ ভাল নাপায়, দুয়ো একেলগে একে পাততে খাবলৈ বহে—তৃপ্তি পায়।

আকাশ-ভূখৰ কঁপাই যেতিয়া ভাৰবে গৰজি উঠে, মযূৰ-ময়ূৰী নাচে, কুঁহিপাতৰ ঔৰহে লুকাই কুলিয়ে যেতিয়া পঙ্খত তান তোলে, নৈৰ কুলকুলু ধ্বনি শুনি যেতিয়া জোনাকে হাঁহে,—তেতিয়া তেওঁলোক ভাবত বিভোৰ হৈ নাচে, হাঁহে, কান্দে। এইদৰে তেওঁলোকৰ দিনবোৰ অতীত হয়—ভাবে, ই তো বেছ মজা !

তেওঁৰ নাৰীত্বৰ পূৰ্ণ পৰিণতি হ'ল সেইদিনা—যিদিনাখন জোনৰ দৰে আক এজনে আহি তেওঁলোকৰ ঘৰ পোহৰালে। আক কি গৌৰবত ভৰি উঠিল পুৰুষৰ বুকু ! তেওঁলোক দুয়ো ভাবত বিভোৰ হৈ নতুন অকণমান বদ্ধটিৰ মুখলৈ চাই থাকে !

সন্তানৰ প্ৰথম কাকলি নাৰীৰ প্ৰাণৰ প্ৰতি স্তৰে স্তৰে কি যে মধু ঢালি দিলে ! যেতিয়া সি তাৰ অকণ অকণ হাতভৰি দুখন জোকাৰি হাঁহে, তেতিয়া নাৰীয়ে আনন্দত আত্মহাৰা হৈ তাক বুকুৰ মাজলৈ টানি নিয়ে, চুমাৰ ওপৰত চুমা খাই তাক ব্যতিব্যস্ত কৰি তোলে। তাৰ পিছত তাৰ মুখত নিজৰ বুকুৰ পায়ুসধাৰা বাকি থিয়ে।

আক পুৰুষ ? মনৰ আনন্দত হাৰিয়ে-বনে আগতকৈও বেছি উৎসাহেৰে চিকাৰ বিচাৰি ঘুৰে আক সময় পালেই লৰি আহে—তাক বুকুত তুলি লবলৈ।

এইদৰে সৃষ্টিৰ প্ৰথম অঙ্ক ৰচিত হল।*

* চমন

ৰাধিকা শান্তীৰ তিথি-উৎসৱ

(২ বহাগত যোৰহাটত বহা ৰাধিকা সতীৰ উৎসৱত পঠিত)

—শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা

যি মহাপুৰুষৰ অশেষ কৰুণাত আজি আমি এই ৰাধিকা শান্তীৰ নাম লবলৈ সমৰ্থ হৈছোঁ, জয়জয়তে সেই পৰম বিবক্ত জগতগুৰু প্ৰভু শ্ৰীমন্ত শঙ্কৰদেৱৰ শ্ৰীশ্ৰীচৰণৰ উদ্দেশে প্ৰণাম জনালোঁ। দ্বিজল ভ্ৰাতৃৰ বদ্ধত আজি আমি এই তিথি-উৎসৱত যোগ দিবলৈ পালোঁ, সেইজনৰ প্ৰতিও আমাৰ সহানুভূতি জনোৱাৰ লগে লগে সিবিলাকৰ হৃদয়ৰ গুণৰ পূজা কৰা স্বভাৱৰ প্ৰতিও আমি শ্ৰদ্ধা জ্ঞাপন কৰিলো।

তিথি-উৎসৱক স্মৃতি-উৎসৱ বুলিব পাৰি ; সাধু সতী শান্তীৰ উৎসৱক সত্য বা নীতিৰ পূজা বুলি আখ্যা দিলেও ভুল নহয়। এই উৎসৱত সকলোৱে যোগ দিব পাৰে। ইয়াত জাতি-বিজাতিৰ বিচাৰ নাই, স্বধৰ্মী-বিধৰ্মীৰ বাছ নাই। সত্য চিৰন্তন সত্য, আক সত্যই ব্ৰহ্ম বা ভগৱান। আক নীতিও জগতৰ সকলো দেশৰ সকলো সময়ৰ একেই। নীতিৰ ওপৰতেই সমাজ, ধৰ্ম্ম আক সমস্ত সংসাৰ ৰক্ষা পৰিছে। এই নীতি ৰক্ষা বা সদাচাৰ ৰক্ষা কৰি বা সত্যক আশ্ৰয় কৰি জগতৰ আদি কালৰ পৰা বৰ্ত্তমান সময়লৈকে সকলো দেশৰ সকলো সময়ৰ লোকে আত্মদৰ্শন কৰি মহাপুৰুষ, সন্ত, সতী, শান্তী আদি উপাধিলাভ কৰি গৈছে। এই মহাপুৰুষ বা সতী শান্তীসকল, সদাচাৰ বা সত্যৰ আদৰ্শ। পানীৰ কণিকা সমুদ্ৰৰ পানীৰ লগত মিলি অনন্ত শক্তি লাভ কৰি জগতৰ অশেষ হিত সধাৰ দৰে এওঁলোকেও নিজৰ পৃথক্‌ভাব ত্যাগ কৰি জগতৰ লগত আত্মপ্ৰাণ মিলাই লোকসমাজত জাজল্যমান আদৰ্শ হৈ ৰৈছে। এই অনন্ত আদৰ্শবোৰৰ চৰিত বা জীৱনৰ কথাবোৰ স্মৃতি-উৎসৱ বা তিথি-উৎসৱত আলোচনা কৰা হয় ; তাৰ দ্বাৰা আমাৰ দৰে সাধাৰণ শ্ৰেণীৰ লোকৰ পক্ষ ক্ষণিক আনন্দৰ বাহিৰে আন বিশেষ লাভ নহলেও, আহি-জীৱন বিচাৰোতাসকলৰ পক্ষে ই এটা অপূৰ্ব্ব সুযোগ হৈ উঠে। কিয়নো, সেই সত্যদৰ্শীসকলৰ উদাত্তিৰ পথ পোহৰ কৰাত ই উজ্জ্বল বস্তিৰ কাম কৰে।

চাৰি-পাঁচ শ বছৰ আগৰ কামৰূপীয়ে বীৰপুজাৰ মূল্য বুজিছিল, সাধু-সেৱাৰ বস লব জানিছিল ; সেই কাৰণে সেই সময়ত বহুত জীৱনী বা চৰিতপুথি ৰচিত হৈছিল। ধৰ্ম্মকেন্দ্ৰস্বোৱত অৰ্থাৎ সত্ৰ আক গাওঁৰ নামঘৰবোৰত বছৰে বছৰে একোবাৰ সাধুসকলৰ গুণকীৰ্ত্তন কৰা পদ্ধতি চলিছিল। ইয়াৰ উপৰিও সুযোগ পালেই পূৰ্ব্বত সাধু-সকলৰ চৰ্চ্চনি কৰা পৰমাৰ্থদৰ্শীসকলৰ এটা অভ্যাসত অহা ৰীতি হৈ পৰিছিল।

আজি আমি যাৰ তিথি-উৎসৱ পাতি ইয়াত উপস্থিত হৈছোহি তেওঁ প্ৰায় পাচ শ বছৰ আগৰ এগৰাকী "শান্তী" উপাধি পোৱা সত্যব দেবিকা, চৰিত পুথিৰ পৰা জনা যায়, এওঁ বৰ্ণ আক বংশগৌৰৱত তদৰ খাপৰ আছিল। মানুহে বদ্ধা কৃত্ৰিম শ্ৰেণীবদ্ধন এই শান্তীৰ তেজত ছিগি পৰাত এওঁ সমাজৰ ভূষণ হৈ পৰে। প্ৰায় চাৰিশ বছৰৰ আগতেই কামৰূপী ভক্ত-চৰিতলিখকসকলে এই সত্যব পূজাবিধীৰ আত্মবিশ্বাস, সংসাহ আক তত্ত্বজ্ঞানৰ কথা সিবিলাকৰ গ্ৰন্থৰ প্ৰধান অঙ্গ কৰি ৰাখি দি, তেওঁৰ প্ৰতি অশেষ শ্ৰদ্ধা দেখুৱাই গৈছে। তেওঁলোকৰ কৃপাতেই আজিলৈকে প্ৰাচীন কামৰূপৰ ভক্তসকলে এই শান্তীৰ নামত ভক্তি পুষ্পাঞ্জলি অৰ্পণ কৰি আহিছে। ভগৱানক ভক্তি কৰিলে যিদৰে ভগৱানৰ লাভ-অলাভ একো নাই, সমস্ত ভক্তবেই,

সেইদৰে সাধুচৰিত আলোচনাতো সাধু শান্তীৰ লাভ লোকচান নাই—সমস্ত হয় আলোচকৰ। এই কাৰণে ধৰ্ম্ম আৰু কৰ্ম্মক্ষেত্ৰত কিবা অলপ সহায় পাম বুলিয়েই আমি আজি ইয়াত উপস্থিত হৈছো। আশাকৰো বৈকুণ্ঠৰ শান্তীৰ কৃপাত আমাৰ আজিৰ আলোচনা মানস সমাজত শান্তিপ্ৰদ হব আৰু আজিৰ দিনটো এটা চিৰস্মৰণীয় দিন হৈ ৰব। শুকচৰিত পুথি আলোচনা কৰিলে পোৱা যায়, প্ৰভু শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ আৰম্ভ কৰোতেই শান্তীৰ আবিৰ্ভাব হয়। এই সময়ত প্ৰভুৱে ১ম বাৰ দ্বাৰ পৰিগ্ৰহ কৰি উঠিছিল, আৰু শিৰোমণি ভূঞাৰ কাম ২।১ বছৰ মাত্ৰ কৰিছিল। এই সময়ত প্ৰভুৰ বয়স ২০।২৫ বছৰ ধৰিব পাৰি। সেই কাৰণে আজিৰ আমাৰ আলোচ্য ৰাধিকা দেৱীক প্ৰভুৰ সমবয়সীয়া বা ৪।৫ বছৰৰ সৰু বুলি অনুমান কৰিলে আমি বেছি ভুলত নপৰিম। এই হিচাপে ৰাধিকা শান্তী ১৪৬০ খ্ৰীষ্টাব্দৰপৰা ১৪৬৫ খ্ৰীষ্টাব্দৰ ভিতৰত আবিভূত হৈছিল বুলি সম্প্ৰতি ধৰা হল।

ৰাধিকাৰ স্বামীৰ নাম পূৰ্ণানন্দ। এওঁৰ ঘৰ টেঙ্গুৰানী বন্ধৰ ভিতৰতে আছিল। এওঁৰ ব্যবসায় কি আছিল সেইটো স্পষ্ট উল্লেখ নাই; অনুমান এওঁ জাতীয় ব্যবসায় মাছ মৰা কামকে কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল।

এই সময়ত শিৰোমণি ভূঞাৰ ৰাজ্য উত্তৰে ৰৌতাৰপৰা দক্ষিণে কপিলী আৰু পূবে গাংমোৱপৰা (বিশ্বনাথৰ ওচৰ) পশ্চিমে ৰহনদীলৈ বিস্তৃত আছিল। ইয়াৰ ভিতৰত বহুত ক্ষুদ্ৰ ক্ষুদ্ৰ ভূঞাৰাজ্য আছিল। এই ভূঞাসকলে শিৰোমণি ভূঞাক কৰ-কাটল নিদিছিল যদিও তেওঁৰ প্ৰাধান্য স্বীকাৰ কৰি দীতি-কাৰৰ শত্ৰুৰ আক্ৰমণৰ পৰা নিজক ৰক্ষা কৰিছিল।

দেশত কন্দলী, ভাৰতী, সাৰ্ব্বভৌম, সৰস্বতী, কবিৰত্ন, কবিসৰস্বতী আদি উপাধিৰ বহুত ব্ৰাহ্মণ কায়স্থ পণ্ডিত আছিল। টেঙ্গুৰানী সেই সময়ত এটা ডাঙৰ চাপৰি, ই দীৰ্ঘে ৮।৯ মাইল আৰু প্ৰস্থে ৪।৫ মাইল আছিল বুলি অনুমান হয়। টেঙ্গুৰানীৰ উত্তৰ পশ্চিমেদি ব্ৰহ্মপুত্ৰ বৈছিল আৰু পূবেদি টেম্পৰানী নামে ব্ৰহ্মপুত্ৰৰ এবা-স্ৰোতি এটা এই সময়ত জান এটাৰ দৰে দক্ষিণ-পশ্চিমলৈ বৈছিল। টেঙ্গুৰানীক টেঙ্গুৰানী বন্ধ বুলিছিল; আৰু ইয়েই শিৰোমণি ভূঞাৰ ৰাজ্যৰ এই সময়ত কেন্দ্ৰস্থান বা ৰাজধানী আছিল। ৰাজ্যৰ গুজাক, জ্ঞানী পণ্ডিত আৰু নানা ব্যৱসায়ৰ মানুহ এই টেঙ্গুৰানীতে বাস কৰিছিল। এইসকলৰ ভেটিমাটি চিন বৰ্ত্তমান সময়লৈকে ঠাঁয়ে ঠাঁয়ে আছে।

শ্ৰীমন্ত শঙ্কৰদেৱে ৰাজ্যভাৰ লোৱাৰ সময়ত টেম্পৰানী জানেদি ব্ৰহ্মপুত্ৰৰ পানী সোমাই টেঙ্গুৰানী বন্ধ আৰু তাৰ দক্ষিণৰ বৃহৎ ভূঞা-চাপৰিৰ প্ৰজাবোৰৰ খেতিযাতা পয়মাল কৰিছিল। সেই কাৰণে শিৰোমণি ভূঞাই জানটো বান্ধিবলৈ ওচৰৰ ভূঞাসকলক আহ্বান কৰে। ভূঞা সকলে কেইবাদিনো জান বান্ধিবলৈ চেষ্টা কৰি অকৃতকাৰ্য্য হোৱাত প্ৰভুৱে নীতিৰ আদৰ্শ দেখাবলৈ বুলি শান্তীৰ হাতুৰাই জানত মাটি দিয়াবলৈ আদেশ কৰিলে আৰু লগতে পলোৱে পানী অনাই শান্তীৰ পৰীক্ষা কৰাবলৈও ব্যৱস্থা দিলে।

ভূঞাসকল একোজন সৰু সৰু ৰজা; শিৰোমণি ভূঞা তেওঁলোকৰ ওপৰত চক্ৰৱৰ্ত্তী ৰজাৰ দৰে। এওঁলোকৰ ঐশ্বৰ্য্য আৰু লগে লগে অহঙ্কাৰ এই সময়ত কম হৈ উঠা নাছিল। ওপৰত উল্লেখ কৰি অহা ব্ৰাহ্মণ কায়স্থ পণ্ডিত সকল ভূঞাসকলৰ দ্বাৰা আদৃত হোৱাৰ লগে লগে তেওঁলোক অহঙ্কাৰী হৈ উঠিছিল। সম্ভৱতঃ এই কাৰণেই জান বন্ধা চেলু নৈ দৰ্শকাৰী শ্ৰীমন্ত শঙ্কৰে শান্তীৰ দ্বাৰা জান বন্ধাৰ ব্যৱস্থা কৰে। এক্ষেত্ৰে শান্তীৰ বিচাৰ বি অগ্নি-পৰীক্ষাৰ দ্বাৰা কৰিবলৈ নিৰ্দ্দেশ কৰিলে তাৰ কথা শুনি ৰজাৰ জাতি, উচ্চজাতি, পণ্ডিত, নৈষ্ঠিক আদি বুলি নিজক শ্ৰেষ্ঠ জ্ঞান কৰা ভূঞা আৰু ব্ৰাহ্মণসকল চিন্তিত হল। শ্ৰীমন্ত শঙ্কৰ শিৰোমণি ভূঞা, তদুপৰি অৱতাৰী পুৰুষ বুলি গণ্য, তেওঁৰ বাক্য বিফল নহয়। সকলোৱে ৰাজ্যত শান্তী বিচাৰিলে, শান্তী নোলাল; ভূঞা আৰু ৰাজ্যৰ লোকসকল বিমোহিত পৰিল। জানৰ পাৰত বহি চিন্তাময় লোকসকলে গুণাগণ্ডা কৰি থাকোতে ৰাধিকা স্বামীৰে সৈতে তাত উপস্থিত হল। স্বামী ভাৰ্য্যা উভয়ে প্ৰভুৰ শ্ৰীশ্ৰীচৰণপদ্মত আশ্ৰু ললে। প্ৰভুৱে ৰাধিকাৰ পৰা যেতিয়া নিজক "শাখী" বুলি কোৱা বাক্য শুনিলে তেতিয়া প্ৰভু হৰ্ষান্বিত হল। আৰু



"পৰিয়ালৰ কোনো নমৰা এঘৰৰ পৰা চাইটা সৰিয়হ আনিব পাৰিলে মই (বুদ্ধ) তোমাৰ সন্তানৰ পুনৰুজ্জীৱন দান কৰিব পাৰিম"

[লওনৰ ষ্টণ্ডিয়া হাউচৰ প্ৰদৰ্শনীত ক্ষেপুৰা]

শিল্পী—মিঃ সাৰদা চৰণ উকীল

তেতিয়াই কলে, বাধিকা! আজি তুমি মোৰা—শুচি-সংযমে আৰু উপবাসে আজি নিশা প্ৰাকাগৈ। কাইলৈ আহি তুমি পৰীক্ষিত হবা আৰু পিছত দেশৰ হিতকৰ্ম্ম সাধন কৰিবা।

বাধিকা স্বামীৰে 'সৈতে ঘৰলৈ গল, আৰু পিছদিনা নিৰ্দ্ধাৰিত সময়ত আহি পলোৱে ব্ৰহ্মপুত্ৰৰ পৰা পানী আনি উপস্থিত সমাজক আচৰিত কৰিলে। বাধিকা 'শান্তী' বুলি ভূঞা, পণ্ডিত আৰু প্ৰজা সকলোৱে শ্ৰদ্ধা কৰিলে। তাৰ পিছত শান্তীয়ে জানত মাটি দিয়াত জান বন্ধ হল। প্ৰজাসমূহে জান বান্ধি পেলালে। তেতিয়াৰ পৰা টেম্পৱানী জানে শান্তী জান নাম পায়। এইদৰে প্ৰভুৱে ধৰ্ম্মপ্ৰচাৰৰ আৱশ্যকতেই জাত্যাভিমান, পাণ্ডিত্যাভিমান আৰু 'ঐশ্বৰ্য্যাভিমানৰ মূৰত কুঠাৰাঘাত কৰি সদাচাৰ সংযম গৌৰৱ বৰ্দ্ধন কৰে আৰু লগতে পবিত্ৰতাৰ অনন্ত স্মৃতি বাখিবলৈ বটদ্ৰৱাৰ কীৰ্ত্তনঘৰলৈ অশা যাত্ৰীসকলৰ শান্তী-জানত স্নানৰ বিধি দিয়ে। এই ব্যৱস্থা বৰ্ত্তমান সময়লৈকে সকলো যাত্ৰীয়ে পালন কৰে।

চৰিত পুথিৰ পৰা জনা যায় শান্তী স্বামীৰে সৈতে প্ৰভুৰ ওচৰত বাস কৰিছিল; আৰু প্ৰভুৰ কৃপাত পৰমাৰ্থত অতি অভিজ্ঞ হৈ উঠাত "যতেক পণ্ডিত বিপ্ৰ সমস্তে আসন্ত, বাধিকায়ে সবাহাকে প্ৰত্যুত্তৰ দেন্ত।" অন্যান্য সাধুসকলৰ দৰে বাধিকা শান্তীৰো পুত্ৰ সন্তান নাছিল; তেওঁৰ এটী কন্যা আছিল মাত্ৰ। এই কন্যাৰ বংশধৰসকলো ভক্তৰ শ্ৰেণীত গণ্য হৈছিল। চৰ্চ্চনিৰ পুথিৰ পৰা জনা যায় তেওঁৰ নাতি বংশ সাত পুৰুষলৈকে বৰ্ত্তমান আছিল, তাৰ পছতি এই বংশৰ সংবাদ পোৱা নাযায়।

প্ৰভুৰে বটদ্ৰৱা ত্যাগ কৰি গাংমৌ, ধুগাহাট, পাটবাউসী আদি ঠাইত বাস কৰি ফুকতে শান্তীৰ নাতি সকলো লগে লগে ফুবা বুলি অনুমান হয়; তাৰ পিছত সম্ভৱতঃ এইসকলৰ বংশধৰ সকল নামনিৰ কোনো জাতিৰ লগত জীণ গৈছে। প্ৰভুৰ কৃপাত বহুত ভক্তে মানুহে সাজা বৰ্ণবন্ধনৰ পৰা মুক্ত হৈ যোগ্যতা অনুসৰি নানা বৰ্ণৰ ভিতৰত সোমোৱা প্ৰমাণ পোৱা যায়; এইবোৰ বিচাৰ কৰি উলিয়া কিছু কষ্টকৰ আৰু সি বৰ্ত্তমান হিন্দু সমাজৰ অগ্ৰীতিকৰ যদিও অনুসন্ধান কৰি উলিয়া অসম্ভৱ নহয়। কৈবৰ্ত্তজাতীয় পৰীক্ষিত প্ৰভুৰ মালীয়া, মিৰিকুলৰ জয়হৰি, ভোটৰ গোবিন্দ প্ৰভুৰ আতৈ আৰু মুছলমানৰ ঘৰত জন্মা চান্দখাই প্ৰভুৰ সহচৰ আছিল। আমাৰ হাতত যিবোৰ .চৰ্চ্চনিৰ পুথি আছে, তাৰ এখনত বাধিকা পূৰ্ব্বজন্মত বলভদ্ৰৰ ভাৰ্য্যা বেহুতী আৰু পূৰ্ণানন্দ বিদ্যাধৰ আছিল বুলি উল্লেখ আছে। অন্যসকলৰ কথাও এইদৰে লিখা আছে। পাৰমাৰ্থিক ভক্তসকলে এইবোৰ জানে।

চৰ্চ্চনি পুথিবোৰ গাজাখোৰৰ গল্প বুলি উৰাই দিয়া বস্তু নহয়, এইবোৰতো সত্যতা আছে, আৰু ইও আমাৰ তত্ত্বদৰ্শীসকলৰ উন্নতিৰ পথ পোহৰ কৰাত কম সহায় নকৰে। সাধকসকলে লোকক দেখি পূৰ্ব্ব আৰু ইহ-জন্মৰ সকলো ঘটনা আচিত দেখাদৰে লেখা পায়, এই ৰকম সাধক আজিও ভাৰতত বিৰল নহয়। চৰ্চ্চনিত আমাৰ আগৰ কামৰূপা বৈষ্ণৱ সাধকসকলৰ কথা লিপিবদ্ধ আছে, যদি অন্যান্য ভক্তসকলৰ চৰ্চ্চনি সত্য হয়, তেন্তে শান্তীৰ পূৰ্ব্ব-জন্মৰ কথাখিনিত অবিশ্বাস কৰিব লগীয়া একো নাই।

বাধিকা দেবীৰ কথা চৰিত্ৰখিনকে কেৱল এক আৱাৰ কথাতে প্ৰকাশ কৰিলে—"বাধিকা শান্তী আৰু তাৰ ফলত তেওঁ প্ৰজ্ঞাৱতী।" শান্তী শব্দৰ অৰ্থ চৰিত্ৰৱতী তিৰোতা, চৰিত্ৰ লাভ হয় নীতি আৰু সদাচাৰ পালনত। এই নীতিকেই পৃথিবীৰ জ্ঞানীসকলৰ কোনো কোনোৱে ধৰ্ম্মৰ ভিত্তি আৰু কোনো কোনোৱে ধৰ্ম্ম বোলে। নীতি-ধৰ্ম্ম সম্বন্ধে তলত এটা উদাহৰণ দিয়া হল—এজন মানুহে মুখত সদায় 'হৰিৰাম' নাম উচ্চাৰণ কৰে, কিন্তু ককালত ছুৰী এখন বাখে। তেওঁ যেতিয়াই সুবিধা পায় তেতিয়াই তাৰে আনৰ অনিষ্ট সাধন কৰে। আন এজনে ঈশ্বৰৰ নাম সমূলি নলয়; মনে-চিতে কাকো হিংস নকৰে, কাৰো বস্তু অন্যায়ভাৱে গ্ৰহণ নকৰে, সকলোৰে মঙ্গল কামনা হৃদয়ত বাখে আৰু সুযোগ পালেই আনৰ উপকাৰ কৰে। এই দুজনৰ ভিতৰত শিছৰ জনকেই আমি নীতিপৰায়ণ বা ধাৰ্ম্মিক বোলোঁ, নীতি নাথাকিলে ধৰ্ম্ম থাকিব নোৱাৰে; আৰু নীতি ভালদৰে প্ৰতিপালিত হলেই ধৰ্ম্ম আচৰণ কৰা হয়, আমাৰ বৈষ্ণৱী ভাৰাত ইয়াকেই আমি সদাচাৰ বোলোঁহক। আমাৰ

আলোচ্য ৰাধিকা দেৱী সদাচাৰসম্পন্না আছিল; তেওঁৰ ওপৰত অৱতাৰী পুৰুষৰ দৃষ্টি পৰাত, শিলৰ ঘহনি খালে জুই দেখা দিয়াৰ দৰে, ৰাধিকাৰ শক্তি বিকাশ হোৱাত "শান্তী" বুলি প্ৰতিভাত হয়; আৰু লগে লগে সাধকসকলৰ গাত বিকাশ হোৱা বিদ্যাৰ সৌৰভে তেওঁক সৌন্দৰ্য্যৱতী কৰি তোলে। এই শান্তীৰ চৰিতৰ পৰা বিশেষকৈ আমি নীতি বিষয়ে শিক্ষালাভ কৰিব পাৰোঁ—তেওঁ অনুন্নত শ্ৰেণীৰ লোকৰ ঘৰত উপজি নীতি পালন কৰিয়েই সেই সময়ৰ প্ৰভাৱশালী ভূঞা, পণ্ডিত, ব্ৰাহ্মণ আদিক চমক লগায়; আৰু লগতে প্ৰভুৰ কৃপা লাভ কৰি প্ৰজ্ঞাৱতী হৈ পণ্ডিত ব্ৰাহ্মণকো উপদেশ দিব পৰা শক্তি লাভ কৰে।

শান্তীৰ জাতিৰ কথা উল্লেখ কৰিবলৈ আমাৰ সমূলি ইচ্ছা নাযায়; কিয়নো তেওঁ যাৰ ঘৰতেই নজন্মক মানুহে যি শ্ৰেণীৰ বুলিয়েই তেওঁক নকওক তেওঁক আমি জাতিৰ কৃত্ৰিম বন্ধনৰ ভিতৰত সুমাব নোৱাৰোঁ। তেওঁ জন্মত মানৱী আছিল যদিও সদাচাৰ পালন কৰি "দেৱী"ৰ সিংহাসন লাভ কৰি গৈছে। কিন্তু আমাৰ কৈবৰ্ত্ত শ্ৰেণীৰ লোকে শান্তী কৈবৰ্ত্ত সমাজত আবিৰ্ভূতা হৈছিল বুলি গৌৰৱ বোধ কৰি উদ্গতিৰ পথত সাৰথি কৰি তেওঁক লব খোজে। তেওঁলোকে শান্তীৰ শান্তি-পতাকা পদূলিয়ে পদূলিয়ে উৰাওক আমাৰ তাত আপত্তি নাই, কিন্তু শান্তী অকল তেওঁলোকৰ নহয়—শান্তী ভাৰতৰ, গোটেই হিন্দুসমাজৰ উজ্জ্বল ৰত্ন আৰু জগতৰ শ্ৰদ্ধাৰ বস্তু।

শান্তী সম্বন্ধে বক্তব্যৰ প্ৰায় ওৰ পৰিল। আমি আসন গ্ৰহণ কৰাৰ আগতে আমাৰ বৰ্ত্তমান কৈবৰ্ত্ত জাতিৰ বা সমাজৰ বিষয়ে এইখিনিতে দুই আষাৰ কোৱাটো বোধ-কৰো অপ্ৰাসঙ্গিক নহব। প্ৰভু শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ আৰম্ভ কৰোঁতে যি সমাজৰ লোকে সেই ধৰ্ম্ম গ্ৰহণ কৰি "চাণ্ডালোঽপি দ্বিজঃ শ্ৰেষ্ঠ হৰিভক্তি পৰায়ণঃ" বাক্যৰ সাৰ্থক কৰিলে, আৰু যি সমাজৰ লোকে সেই কালৰপৰা আজিলৈ প্ৰায় পাচ শ বছৰ নিৰ্ম্মল সনাতন হিন্দুধৰ্ম্মকে গ্ৰহণ কৰি নিৰঞ্জন নিৰাকাৰ ব্ৰহ্মকে উপাসনা কৰি আহিছে আৰু এই ধৰ্ম্মৰ প্ৰভাৱতে যি সমাজৰ অতি অলপ সংখ্যাৰ লোকে বৰ্ণৰ বন্ধন পাৰ হৈ অন্য অন্য সমাজত ভুক্ত হৈ চিনিব নোৱাৰা হৈছে, তথাপি ব্ৰহ্মপুত্ৰ উপত্যকাত থকা বৃহৎ কৈবৰ্ত্ত জাতি আজি অনাচাৰণীয় বুলি নকলে সত্যৰ অপলাপ কৰা হব। ইয়াৰ কাৰণ কি? প্ৰভুৰ প্ৰচাৰিত যি শুদ্ধ নিকা পথে ভোট, মিকিৰ, লালুং, কচাৰী আদিক সদাচাৰ দি সৰুকোচ, বৰকোচ আদি উপাধি দি নিজৰ বিশাল বুকত সামৰি ললে সি কিয় হিন্দু কৈবৰ্ত্ত জাতিক হজম কৰিব পৰা নাই? কৈবৰ্ত্তই শ শ বছৰ ধৰি এই ধৰ্ম্মকে হৃদয়ৰ সৰ্ব্বস্ব বুলি আকোৱালি ধৰি আছে। কৈবৰ্ত্ত জাতিৰ ভিতৰত আজি বিচাৰিলে গুৰু ব্ৰহ্মা গুৰু বিষ্ণু বুলি প্ৰেমাশ্ৰু বিসৰ্জ্জন কৰা আৰু ৰামনামত আত্মপৰিজন প হৰা লোক দুই চাৰিজন নোলোৱাকৈ নাথাকে, এনে অৱস্থাত আজিও কিয় কৈবৰ্ত্ত হিন্দুধৰ্ম্মৰ অনাদৃত অঙ্গ? ইয়াৰ কাৰণ অন্যান্য বহুত থাকিব পাৰিলেও পোনতে সেই জাতিৰ ভিতৰতে বিচাৰ কৰা হওক। কিয়নো আনে বেয়া পোৱাৰ হেতু নিজৰ ভিতৰত বিচৰাহে সাধুনীতি। গাৱঁৰ কৈবৰ্ত্ত সমাজত থকা দোষ যিবোৰ আমাৰ চকুত পৰিছে তাৰ কেইটামান সংক্ষেপে তলত উল্লেখ কৰিলো।

১। কৈবৰ্ত্ত সমাজৰ উজনিৰ কিছুমানে এতিয়াও নিজক হিন্দু বুলি কবলৈ সাহ নকৰে; তেওঁলোকে নিজক "কৈবত" আৰু আন হিন্দুক "হেন্দু" বোলে।

২। বেছিভাগ কৈবৰ্ত্তই স্থায়ী বস্তি কৰিবলৈ মন নকৰে, তেওঁলোকে খেতি নকৰে, সূতা নাকাটে আৰু কাপোৰ নবয়।

৩। অধিক ভাগ কৈবৰ্ত্তই নদীৰ পাৰত ওপৰাউপৰিকৈ ঘৰ সাজি গুৰিপৰুৱাৰ লাকৰ দৰে থাকে। তেওঁলোকৰ ঘৰৰ আবুৰ নাই, আৰু বেছিভাগৰ নীতিৰ ফালেও দৃষ্টি নাই।

৪। কিছুমান কৈবৰ্ত্ত গাভৰু আৰু তিৰোতাই হাট-ৰজাৰ কৰে, মাছ-চুণ আদি গাৱেঁ গাৱেঁ বেচি ফুৰে।

৫। অধিক ভাগ মাছমৰীয়াৰ উপাৰ্জ্জন বেছি, কিন্তু সকলো বস্তু কিনি খোৱাৰ কাৰণে কোনো সময়ত কিবা কাৰণে উপাৰ্জ্জন কমিলেই তেওঁলোকৰ অৱস্থা শোক লগা হৈ পৰে।

৬। বেছিভাগ কৈবৰ্ত্তৰ মাত-কথাত আবুৰ নাই, কিছুমানৰ থকা-খোৱাত অপৰিষ্কাৰ।

৭। কৈবৰ্ত্তৰ ভিতৰত শিক্ষাৰ আদৰ এতিয়াও বেছি হোৱা নাই বুলিব পাৰি।

আমাৰ সাধাৰণ দৃষ্টিত এই কেইটা দোষেই আমাৰ

চকুত জিলিকিছে। সমাজৰ নেতাসকলে চিন্তা কৰিলে বোধকৰো আৰু কিছুমান দোষ উলিয়াব পাৰিব। সমাজৰ মঙ্গল কামনা কৰি আজি আমি শান্তী-উৎসৱত এই অপ্ৰিয় সত্যবোৰ উল্লেখ কৰিলো। সমাজ সংস্কাৰ কৰিব খুজিলে দোষবোৰ চালি-জাৰি উলিয়াই লব লাগে, নহলে খেপিয়াই ফুৰুতে বহুত সময় যায় আৰু শেষত নিৰাশে আগভেটাও আচৰিত নহয়।

আমাৰ গাওঁৰ কৈবৰ্ত্ত সমাজৰ দোষবোৰ সংস্কাৰ কৰাৰ উপায় আমাৰ অন্তৰত যি খেলাইছে তাকো তলত উল্লেখ কৰিলো; সংস্কাৰকসকলে চিন্তা কৰি যদি উপযুক্ত দেখে, কাম কৰি চাব পাৰে।

১। কৈবৰ্ত্ত গাওঁবোৰত পাঠশালা স্থাপন কৰা প্ৰথম আৰু প্ৰধান কৰণীয়।

২। উজনিৰ কৈবৰ্ত্ত সমাজৰ নানা মেলবোৰ সম্মিলন আৰু নাম কীৰ্ত্তনৰ সহায়েৰে গুচোৱা।

৩। তিৰোতাক সূতা কাটিবলৈ, কাপোৰ ববলৈ আৰু পুৰুষক খেতি কৰিবলৈ অভ্যস্ত কৰোৱা।

৪। ঢাপ মাৰি বস্তি পাতি ঘৰবোৰ শৃঙ্খলা লগাই সজোৱা, সন্মুখত ফুলনি ৰখা আৰু প্ৰতিঘৰে একো কোঠালী গোসাইঘৰ ৰাখি তাত দৈনিক প্ৰসঙ্গ কৰাৰ ব্যৱস্থা কৰা।

৫। নগৰৰ বাহিৰে ঠেক আৰু তাকৰীয়া মাটিত থকা মানুহবিলাকক তুলি নি পতিত চৰকাৰী মাটিত আহল-বহলকৈ গাওঁ পাতি বাস কৰিবলৈ যত্ন কৰা।

৬। বিনা উপাসনায় কোনো কৈবৰ্ত্তে জল গ্ৰহণ নকৰিবলৈ যত্ন কৰা।

৭। মাছৰ কাৰবাৰটো সম্প্ৰতি একেবাৰে পুৰুষৰ হাতলৈ নিয়া পিছত সম্ভৱ হলে শিক্ষিতসকলে ডালি চাউল বেচাৰ দৰে মাছ বেচাৰ ব্যৱস্থা কৰা। আমাৰ মতে তিৰোতাক মাছ বেচিবলৈ একেবাৰে নিষেধ কৰা বিধেয়।

এইবোৰ কাম কৰিবলৈ প্ৰতি জিলাত ৩৪ জনকৈ নিজৰ সমাজৰ লগত প্ৰাণ মিলাই দিয়া ধন মান যশৰ আশা নৰখা সেৱক লাগে। পইছা নহলে কাম নহয় এনে ভাবৰ মূল্য নাই; আচলতে অভাৱ ত্যাগী পুৰুষৰ—পইছা আপুনি আহে। প্ৰকৃত স্বেচ্ছাসেৱকসকলে কাম আৰম্ভ কৰিলে সহায় আপোনা-আপুনি আহিবলৈ ধৰে। এইদৰে নিজৰ জাতিৰপৰা স্বেচ্ছাসেৱক ওলাই নিজ জাতিক সংস্কাৰ কৰিবলৈ যত্ন কৰা যুগুত, আনৰ অযাচিত সহায় আদৰণীয় কিন্তু আনৰ সহায়লৈ আশা কৰি বহি থকাটো স্বাধীনতাৰ বিৰোধী, মনুষ্যত্বৰ বিৰোধী। খোৱাক কোনে কিমানদূৰ বোকোচাত লৈ ফুৰাব? খোৱাৰ ভৰি ভাল হৈ উঠিলে পৰৰ ওপৰত নিৰ্ভৰ কৰা স্বভাৱ আপুনি আঁতৰিব। এতেকে কৈবৰ্ত্ত ভ্ৰাতৃসকল, আপোনালোকো মানুহ আৰু আপোনালোক হিন্দুৰ এটা প্ৰধান অঙ্গ এই ভাবটো দৃঢ় কৰি নিজক পৰিচয় দিবলৈ কাৰবাৰ কৰক। 'সংহতি কাৰ্য্য সাধিকা'; আপোনালোকে মুঠ বান্ধি জাতীয় সংস্কাৰবোৰ কৰি যাওক আনলৈ দৃষ্টি কৰিব নালাগে।

ইয়াতেই হিন্দুৰ অন্যান্য শ্ৰেণীৰ লোকসকলক কওঁ যে কৈবৰ্ত্ত হিন্দু সমাজৰ এটা প্ৰধান অঙ্গ। তেওঁলোকৰ গাত যিবোৰ দোষ থকাবাবে তোমালোকে তেওঁলোকক কেৰাহিকৈ চাব খোজা সেইবোৰ দোষ তোমালোকৰ নিজ নিজ সমাজতো আটকীয়া নহয়। তেওঁলোকক পৱিত্ৰ শুদ্ধ ধৰ্ম্ম দি নিকা পথত চলাই কেচা মাছ বেচাবাবে অপৱিত্ৰ হৈ থকা বুলি অনাদৰ কৰি সমাজৰ তলত যিদৰে হেঁচি ৰাখিব খোজা তেওঁলোক তাৰ উপযুক্ত নে? তোমাৰ সমাজতো জীয়া মাছ বেচে, চালানী ভজা মাছ বেচে, ভজা ৰন্ধা মাছ ভাতে সৈতে বেচে; এইবোৰত তোমাৰ জাত জাত হৈ থাকে আৰু কৈবৰ্ত্ত জাতি এইবাবে পতিত হয়? ই কোন দেশৰ আৰু কোন কালৰ নীতি? সত্যক সৰহদিন ঢাকি ৰাখিব নোৱাৰা। তোমালোকে আজি অতদিনে তেওঁলোকক যি আঘাত কৰিলা সময় থাকোতে যদি নিজৰ ত্ৰুটী স্বীকাৰ কৰি তেওঁলোকক শান্তনা নিদিয়া তেন্তে তাৰ প্ৰতিঘাত নিশ্চয় তোমাৰ গাত পৰিব। তেওঁলোকো মানুহ, তেওঁলোকৰো আত্মসন্মান আছে—তেওঁলোকক হিন্দু বুলি গৌৰৱ বোধ কৰাৰ পৰাও বঞ্চিত কৰি ৰাখিছা! ই কি ঘোৰ অন্যায় আৰু অধৰ্ম্ম তোমালোকৰ দ্বাৰা অনুষ্ঠিত হৈছে এবাৰ চিন্তা কৰি চোৱা। তোমালোকৰ এই অঙ্গ দুৰ্ব্বল হোৱাৰ বাবে আজি তোমালোকৰেই বা অৱস্থা কি হৈছে, এবাৰ নিজৰ অন্তৰত বিচাৰ কৰি চোৱা। আমাৰ কথাৰ ইয়াতেই অন্ত পৰিল। আমাৰ কথা উকা আৰু হুঁটা। বহুত ঠাইত অপ্ৰিয় সত্য প্ৰকাশ হৈছে সেইবাবে সকলোৰে ওচৰত মূৰ দোৱাই ক্ষমা খুজিলো। বিশেষ আজি এই শান্তী-উৎসৱৰ ভাগ লবলৈ পাই নিজে গৌৰৱ বোধ কৰিছো আৰু এই আনন্দৰ উৎসৱত আত্মহাৰা হৈছো। শান্তীৰ চৰিত্ৰ আলোচনা আমাৰ ঘৰে ঘৰে হওক, শান্তীৰ গীত বৰ্ত্তমান কামৰূপৰ কিছুঠাইত গীত গোৱাৰ দৰে গোটেই ভাৰততে বিয়ায়-বিহুৱে গীত হওক। শান্তীৰ জয়ধ্বনিত ভাৰত মুখৰিত হওক আৰু শান্তীৰ জয়গানে জগতৰ আকাশ বিকম্পিত কৰি বৈকুণ্ঠ স্পৰ্শ কৰক। শান্তি! শান্তি!!

বিবিধ

হলিউডত এডগার ৰালেছ

মিঃ এডগার রালেছ বিলাতৰ এজন বিখ্যাত ঔপন্যাসিক। তেনেকৈ আমেৰিকাৰ হলিউড বোলা ঠাইটোৱেই আজিকালি ছায়াচিত্ৰ শিল্প চৰ্চাৰ শ্ৰেষ্ঠতম কেন্দ্ৰ। এই হলিউডলৈ বেড়িও কিৰ অফিচৰ বোলা এটা কোম্পানীয়ে মিঃ ৰালেছক অল্পপতে ছায়া-চিত্ৰৰ বাবে উপন্যাস লিখিবলৈ নিযুক্ত কৰিছে। লিখিত চুক্তিমতে তেওঁ তিনমাহ মৈ হলিউডত থাকি নিজৰ কাম কৰাৰ পিছত আজৰি সময় গল লিখি এই কোম্পানীক দিব আৰু তাৰ বাবে তেওঁ প্ৰতি সপ্তাহত ৮০০ পাউণ্ড বা প্ৰায় ১০৪০০৲ টকাকে পাব।

নতুন কৌশলৰ টেলিফোন

টেলিফোন যন্ত্ৰৰে বহুত দূৰত থাকিও দুজন মানুহে আৱশ্যক মতে কথা বতৰা পাতিব পাৰে, আৰু অভ্যাস হলে এজনে আনটি অস্পষ্টকৈ কলেও আনজনে সেই কথা বুজি পায়। কিন্তু অভ্যাস নথকা মানুহৰ পক্ষে, বিশেষতঃ দূৰত বেছি হলে আৰু অতিপাত হাই-উকৰিৰ মাজত, এজনৰ কথা আনজনে বুজাত টান হয়। সেই অসুবিধা দূৰ কৰিবৰ বাবে জাৰ্মান বৈজ্ঞানিক পণ্ডিতসকলে এটি নতুন কৌশল উদ্ভাৱন কৰিছে। এই কৌশলৰ ফলত, কোনো কথা বুজি নাপালে, এটি বৈদ্যুতিক বুতাম টিপি দিলে, আনজন মানুহে কোৱা কথাবোৰ আপোনা-আপুনি লিখা হৈ চকুৰ আগত জিলিকি ওলায়।

কেঁচুৱাৰ খাটত বেডিও

বিজ্ঞানৰ বলত মানুহে নিজৰ সুখ সুবিধাৰ বাবে নানা যন্ত্ৰপাতি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিবলৈ শিকিছে। বৰ্তমানে আমেৰিকাত কেচুৱাক তওাই থোৱা খাটবোৰতো একোটাকৈ বেডিও যন্ত্ৰ লগাই দিয়া হৈছে। ইয়াৰ ফলত মাক বাপেকে দূৰত থাকিলেও কেচুৱাৰ কান্দোন কাণত পৰিব; গতিকে মাকে কেচুৱাটিক দৰত তওাই থৈ সাৱলৈ ওলাই থৈ মনৰ আনন্দেৰে নাচি গাবি চুবিয়া পাৰিব।

ৰং-বেৰঙণ ফটোগ্ৰাফ

বিলাতৰ 'পাইছাৰ্ছ' লিমিটেড বোলা এটা কোম্পানীয়ে আকস্মিক-ভাবে এটি নতুন কৌশল উলিয়াইছে। এই কৌশলেৰে, যি বস্তু বা দৃশ্যৰ ফটো তোলা হয়, তাৰ হুবহু ৰং পণ্যয় ঠিক-ঠাক হৈ ছবিত উঠিব। ফটোগ্ৰাফিত এই আবিষ্কাৰটো অতিশয় আৱশ্যকীয় আৰু মূল্যবান।

উদ্ভিদৰ 'মনোবিকাৰ'

চাৰ জগদীশ চন্দ্ৰ বসুৱে আবিষ্কাৰ কৰিছে যে গছ-লতাবো প্ৰাণ আৰু অনুভূতি শক্তি আছে। আৰু ইবিলাকেও নানা উপায়েৰে নিজৰ অন্তৰাৱ কথা ব্যক্ত কৰে। অলপতে কৰ্ণেলিয়া বিথবিজ্ঞানৰ এজন বৈজ্ঞানিকে আবিষ্কাৰ কৰা বুলি শুনা গৈছে যে কেতল সেয়ে নহয়। এই গছ গছনি-বোৰবো মস্তিষ্কৰ বিকাৰ ঘটে, আৰু বাহিৰত তাৰ প্ৰমাণ পোৱা যায়। এনে অদ্ভুত আবিষ্কাৰৰ পিছত বোধ হয় আন কোনো পণ্ডিতে সহজে প্ৰমাণ কৰিবলৈ সক্ষম হব যে, গছ-লতাৰ কেবল প্ৰাণেই নহয়, মনো আছে।

আকাশী ৰথত মৌ-মাখি

আজিকালি আকাশী ৰথবোৰ জনযাতাৰনৰ মাজতো বহুকৈ প্ৰচলিত হৈ আহিছে, আৰু বিশেষতঃ হিসকলৰ কাম বেছি, সময় কম, তেওঁলোকে এঠাইবপৰা আন এঠাইলৈ যাওঁতে আকাশী পথকে অবলম্বন কৰিবলৈ ধৰিছে। পৃথিবীৰ সকলো দেশৰ প্ৰধান মন্ত্ৰীসকলৰ ভিতৰত, বিলাতৰ প্ৰধান মন্ত্ৰী মিঃ বামজে মেকডোনাল্ডে আকাশীৰথ আটাইতকৈ বেছিকে ব্যৱহাৰ কৰিছে। ভাৰতৰ ভাইছৰয়সকলৰ ভিতৰত লৰ্ড লিনিথগোনেহে পোন প্ৰথমে আকাশীৰথত উঠিছে আৰু এনেকি বাউণ্ড টেবল কনফাৰেন্সৰ সদস্যা মিছেছ চুপাপাৰনেও হেনো আকাশীৰথেৰে উভতি ভাৰত পাৰিব।

কিন্তু কেবল এয়ে নহয়, বিলাতৰ বিখ্যাত মৌ-মাখি ৰাখনাৰী ঝি ৰোৱেনে সিদিনা বিলাতৰ পৰা ভাৰতলৈ দুজাক মৌমাখি আকাশীৰথত চালান দিছে। জাহাজত আনিলে বাটত বহুত দিন থাকিব লগা হোৱাত মৌ-মাখিবোৰ নিশকতীয়া হৈ যায়, এতিয়া এই ব্যৱস্থাবে দুদিনৰ ভিতৰতে এই কাম সমাধা হব।

বিলাতত ভাৰতৰ আম

উটনৰ শক্তিকাৰ শেষভাগত মহাৰাণীৰ ৰাজত্ব কালত, ভাৰতত চাকৰি কৰা চাহাৰে এজনে নানা যত্নেৰে কেইটিমান আম ভাৰতবপৰা মহাৰাণীৰ উপহাৰ পঠিয়াইছিল। ভাৰতলৈ অহা চাহাৰসকলৰ বাহিৰে আন কোনো চাহাৰে সেই সময়ত বিলাতত আম খেয়া নাছিল। গতিকে মহাৰাণীয়ে আমবোৰ পালে হয়, সেইবোৰক নো কেনেকৈ খাব লাগে, নে কি কৰিব লাগে একো কব নোৱাৰিলে। শেষত উপাহাৰৰ নাগাই বিখ্যাত যোদ্ধা ডিউক অৱ ৱেলিংটনক এদিন তেওঁ ৰাজপ্ৰাসাদলৈ খাবলৈ নিমন্ত্ৰণ কৰিলে, কাৰণ বাণীয়ে ভাবিছিল যে তেওঁ ভাৰতলৈ যোৱা মানুহ গতিকে এই ফলবোৰৰ দিহা দিব পাৰিব। খোৱা আৰম্ভ হ'ল, টেবলৰ মাজত আমবোৰ আলহুলকৈ সজাই থোৱা হৈছে; কিন্তু কোনোৱে তাক চুবলৈ সাহ কৰা নাই। মহাৰাণীয়েও আচল কথা ডিউকক ভাঙ্গি কোৱা নাই। এনেতে ডিউকৰ চকু আম কেইটাৰ ওপৰত পৰিল। তেওঁ ভাৰতত থকা কালত আম খাই বৰ সোৱাদ পাইছিল, গতিকে তৎক্ষণাৎ তেওঁ এটি এটিকৈ তুলি আনি সাৰ্কাল অলগমান ফুটাই দি আটাই কেইটা আমকে চুহি খাই শেষ কৰিলে। তেতিয়াবপৰাই বিলাতত আমৰ প্ৰচলন, আৰু আজিকালি ভাৰতবপৰা বহুতো আম চাহাৰসকলে বিলাতলৈ নিছে।

বিলাতী নাটকত জন্মভূমীৰ চৰিত্ৰ

অসমৰ চুহুপূৰ্ব গৰখীয়া চাৰ বিলিয়ম মৰিছ এগৰাকী পণ্ডিত লোক। তেওঁ আমাৰ সতীবাণী জন্মভূমীৰ চৰিত্ৰ অবলম্বন কৰি ইংৰাজীত The Bohemian Princess নামে এখনি নাটক লিখিছে। আৰু বিলাতৰ সমাজত এই নাটকখনিয়ে বৰ সমাদৰ পাইছে। বিলাতপ্ৰবাসী অসমীয়া ছাত্ৰসকলৰ বহুতে এই অভিনয় নিজ চকুৰে চাইছে। খোৱা ৰছৰ এ, এছ, এল ক্লাবৰ জন্মোৎসৱে কলিকতাত হোৱা জন্মভূমী উৎসৱ সভাত শ্ৰীযুত শুকপ্ৰসাদ দাস আই, আৰ, এছ ভাঙনীয়াই এই নাটকখনিৰ কেইটিমান দৃশ্য আবৃত্তি কৰি শুনাইছিল।

সংগ্ৰহ

লোৱো য়োংৰাঙৰ বিৱৰণী

জাভাৰ সকলোপিলে হিন্দুসভ্যতাৰ চিন এতিয়াও আছে। হিন্দু বৌদ্ধধৰ্ম, হিন্দুসাহিত্য আৰু হিন্দুস্থাপত্য আৰু ভাস্কৰ্য্যৰ চিনাকি সকলোতে পোৱা যায়। প্ৰথমন্ন নামে পুৰণি ৰাজৰ শৈল আৰু বৌদ্ধমন্দিৰ আছিল, এতিয়াও তাৰ ভগ্নাৱশেষ চকুত পৰে। তাৰে প্ৰায় চাৰি চেং বোলা ঠাই এডোখৰত আঁচেপাহে বেছি মন্দিৰ আছে। 'চাণ্ডী চেণ্ড' বুলিলে 'সহস্ৰ মন্দিৰ' বুজি লাগে। এইবোৰৰ ভিতৰত এটাৰ নাম 'শ্ৰীলোৱো য়োংৰাঙৰ মন্দিৰ। লোৱো শব্দৰ অৰ্থ আবিহে। ৰাজাত এটা সংস্কাৰ আছিল যে যি ছোৱালীয়ে ১৮-১৯ বছৰ বয়সতো বিয়া নহয় তাই শিলা হয়। শ্ৰীলোৱো মন্দিৰৰ লগত এনে এটা কৃষ্ণোৱৰ কাহিনী জড়িত আছে। তাকে ইয়াতে তুলি দিয়া হ'ল।



ৰাপেক বন্ধা বাতু বোকোৰ কালে পাছ দি কুবৰী শ্ৰীলোৱো য়োংৰাং

পুৰণিকালত যবদ্বীপত বাতু বোকো বোলা এজন বন্ধা মাতাবন্ধ ৰাজ্য কৰা আছিল। তেওঁৰ একেজনী মাথোন ছোৱালী আছিল। ছোৱালীজনীক জন্ম দিয়েই মাক সিপুৰীয়া হয়। জীয়েকৰ নাম ৰাজাই শ্ৰী য়োংৰাং থয়। ছোৱালীজনী মাকৰ দৰেই ৰূপহী আছিল। দৈত্যকেলৈ বন্ধাৰ প্ৰেম আৰু জীয়েকজনীলৈ চেনেহত, ছোৱালীজনীয়ে বি খুছিছিল তাকে বাপেকপণ্ডয়া পাইছিল। বন্ধাৰ অত্যধিক আদৰত ৰাজকুঁৱৰী তেনেই খাখীন হৈ উঠিল। বয়স পালত, ৰাজকুঁৱৰী য়োংৰাঙলৈ ওচৰৰ ৰাজ্যবোৰত বৰ বিচাৰিব ধৰিলে। কুঁৱৰীয়ে বাপেকক শপত খুৱালে যে তেওঁ মাস্তি নোহোৱালৈকে যেন তেওঁক কোৱো লগত বিয়া দিয়া নহয়।



পাষাংৰজাৰ ওচৰত শ্ৰীলোৱো য়োংৰাং

য়োংৰাঙক বিয়া কৰিবলৈ ৰাজকোৱৰসকল বাতু বোকোৰ ৰাজধানীলৈ আহিব ধৰিলে। য়োংৰাঙ কিন্তু মনেৰাগা কোনো কৌৰৰ নোলাল। কোনো কোনো ৰাজকোৱৰ বেজাৰ মনেৰে ঘৰলৈ গুচি গ'ল। আন কিছুমানে ভাবিলে যে তেওঁলোকক কেৱল অপমান কৰা হৈছে। সেইবাবে তেওঁলোকৰ বৰ ৰং উঠিল। তেওঁলোকে ৰঙাক এই বুলি খোৱাবোপ কৰিলে যে বিয়া কৰিবলৈ কুঁৱৰীক তেওঁ আদেশ দিয়া নুগুত আছিল। তেওঁলোকে অপমানৰ হোৱ তুলিবলৈ মাতাবন্ধ ৰাজ্যৰ বিৰুদ্ধে সৈন্য পঠালে। বাতু বোকোৰ প্ৰধানসকল বৰ অধীৰ হ'ল। প্ৰধানসকলে এদিন পোট খাই দাবী কৰিলে যে, ৰাজকুঁৱৰীয়ে যাতে বিয়া কৰে, বঙাই তাৰ দিহা কৰ'ক।

প্ৰধানসকলৰ কথা এবাৰ নোৱাৰি বঙাই এদিন য়োংৰাঙক মাতি পঠালে আৰু চেটাসকলৰ সাক্ষাতে কলে,—"মই তোমাৰ ওচৰত প্ৰতিজ্ঞা কৰিছো যে তোমাৰ মত নোহোৱালৈকে মই তোমাক বিয়া কৰিবলৈ

অনুৰোধ নকৰোঁ। ইয়াৰে মই এনে কথা বুজোৱা নাছিলোঁ যে যি কোনো ৰাজকোঁৱৰে তোমাক বিয়া কৰিব খুজিলেই তুমি প্ৰত্যাখ্যান কৰিবা। তোমাৰ পাণিপ্ৰাৰ্থীসকলৰ ভিতৰত যোগ্যপাত্ৰ অনেক আছে। যি উদ্দেশ্য সিদ্ধি কৰিবলৈ তোমাৰ জনম, তুমি তাক এবাৰলৈ যত্ন কৰিছা, আৰু মোৰ প্ৰজাইতে তোমাক হাঁহিবলৈ আৰু হটিবলৈ আৰম্ভ কৰিছে। তোমাৰ মনোভাব আমাৰ পুৰণি ৰাজবংশৰ অযোগ্য। তোমাৰ হস্তে দেৱতাসকল আমাৰ বংশৰ ওপৰত ৰুষ্ট হৈছে। এতেকে তোমাৰ এই ব্যৱহাৰ আৰু সৰহদিন নিটিকে। মই জানিব পাৰিছোঁ, পায়াঙৰ ৰজা মোৰ দৰবাৰলৈ আহিব আৰু তোমাক বিয়া কৰিব খোজে। তেখেত গভীৰ জ্ঞানী আৰু অলৌকিক শক্তিসম্পন্ন। মই তোমাক যি কথা দিছোঁ, তাক পালিবই লাগিব; কিন্তু তোমাৰ এতিয়া বয়স ওঠৰ। তুমি হয় পায়াঙৰ ৰজাক বিয়া কৰাব লাগিব, নহয় তাচিকমালায়াৰ মঠত চিৰকুমাৰী হৈ থাকিব লাগিব।

বাপেকৰ ফালে পাছ দি (ই জাভাৰ দস্তুৰ) য়োংবাং বহিল। বিয়া কৰিবৰ তেওঁৰ অনিচ্ছা। ইপোনে, বাপেকৰ ঘৰ এৰি মঠত সন্ন্যাসিনী হৈ থাকিবলৈও তেওঁৰ মন নাই। শেহত ৰজাক কলে, দেউতা! মই আপোনাৰ কথা শুনিম।

বাপেকৰ ওচৰৰপৰা যাওঁতে নাযাওঁতে কুঁৱৰীয়ে এনে এটা উপায় উলিয়াবলৈ মন মেলিলে যাতে বিয়াও নহয় আৰু মঠত গৈ সন্ন্যাসিনী হৈও থাকিব নালাগে। দকৈ চিন্তা কৰি ঠিক কৰিলে, পায়াং-ৰজাই যাতে তেওঁক বিয়া কৰাৰ আশা এৰি দি গুচি যায় তেওঁ তাৰে যুগুত ব্যৱস্থা কৰিব। পায়াং-ৰজা গুচি গলে বিয়া নকৰোৱাৰ বাবে বাপেকে তেওঁক গৰিহণা দিব নোৱাৰিব আৰু সন্ন্যাসিনী হবও নালাগিব। পাঁচদিন পাঁচৰাতি তেওঁ শোৱনিঘৰৰপৰা নোলাল আৰু উপায় ভাবিবলৈ ধৰিলে। ৬ষ্ঠ দিনা তেওঁ হাঁহি হাঁহি বাহিৰ ওলাল আৰু বহুমূলীয়া সাজ-পাৰ পিন্ধি গীত গাই গাই ফুৰিবলৈ ফুলনিত সোমাল। কুঁৱৰীৰ আনন্দৰ কাৰণ, তেওঁ উপায় উলিয়াব পাৰিছে।

পিছৰ সপ্তাহত পায়াং-ৰজাই ৰাতু বোকোক কটকীৰ মুখে বাতৰি দিয়ালে যে এদিনৰ ভিতৰতে তেওঁ মাতাৰম্ পাবগৈ। ৰাতু বোকোৱে আঠোটা ঘোৰাৰ গাড়ীৰে পায়াং-ৰজাক আদৰি আনিবলৈ গ'ল। পায়াং-ৰজা ৰাতু বোকোৰ ৰাজ-অতিথি হ'ল।

পিছদিনা পুৱা ধুনীয়াকৈ সাজ-পাৰ লৈ শ্ৰী য়োংবাং লিগিৰীইতেৰে সভাঘৰত সোমাল। পায়াং-ৰজাই তেওঁৰ অভিলাষ ব্যক্ত কৰিলে। ৰাজকুঁৱৰীয়ে তলমূৰা হৈ কপট লাজৰ ভাও জুৰি নিমাতে তেওঁৰ কথা শুনিলে। তেওঁৰ কোৱা শেষ হলত কুঁৱৰীয়ে কলে—মহাৰাজ! পিতাই কৈছে, আপুনি হেনো অলৌকিক শক্তিসম্পন্ন। এনে মানুহকে মই বিয়া কৰিব খোজোঁ। মই আপোনাক যি কৰিব কওঁ, যদি আপুনি কৰিব পাৰে তেন্তে আপোনাত মই বিয়া সোমাম।

পায়াং-ৰজাই কলে,—য়োংবাং! তুমি মোক কি কৰিব কোৱা?

ৰাজকুঁৱৰীয়ে হাঁহি কলে—আপুনি এৰাতিৰ ভিতৰতে এহেজাৰ শিল মন্দিৰ সাজি দিয়ক আৰু তাৰ প্ৰতিটোতে একোটি সৰ্ব্বাঙ্গসম্পন্ন সুদৃঢ় শিলৰ মূৰ্ত্তি থাপনা কৰক।

য়োংবাঙে ভাবিছিল, এই অসাধ্য কাম কৰিব নোৱাৰি কিবা এটা ছুতা দেখুৱাই পায়াং-ৰজা উভতি যাব। কিন্তু পায়াং-ৰজাই হাঁহি উত্তৰ দিলে—বাৰু, য়োংবাং! কাইলৈ ৰাতিপুৱা তোমাৰ অভিলাষ পূৰ্ণ হব।

য়োংবাং আচৰিত হ'ল। তেওঁৰ বুকুত ভয় সোমাল। ৰজাক নমস্কাৰ জনাই তেওঁ নিজৰ কোঁঠালীত সোমালগৈ। সেই নিশা কুঁৱৰীৰ টোপনি নাহিল। ৰাতিপুৱা বাহিৰলৈ গৈ দেখে, ৰাজধানীৰ এক প্ৰান্তৰ মন্দিৰেৰে ভৰি পৰিছে। ভয়ত তেওঁ কঁপিবলৈ ধৰিলে। তেওঁ এতিয়া পায়াং-ৰজাক বিয়া কৰিবই লাগিল। উদ্বিগ্নচিত্তে তেওঁ ৰজাৰ ফালৈ আগবাঢ়িল। ৰজাই ভাবিছিল, তেওঁৰ কীৰ্ত্তিৰ কাৰণে ৰাজকুঁৱৰীয়ে তেওঁক অৰিহণা দিব। কিন্তু কুঁৱৰীৰ মুখত সন্তোষৰ অকণো চিন নাই।

জাভাৰ দস্তুৰমতে বাগ্দত্তা জায়াপতিয়ে হাতত ধৰাধৰিকৈ মন্দিৰৰ ভিতৰত সোমাই মূৰ্ত্তিবোৰক সেৱা কৰিলে। ৰাজা সহাস্য, কুঁৱৰীৰ নিৰাশা ডাৱৰে ঢাকিছে। শেষৰ মন্দিৰটোৰ থাপেদি নামি আহোঁতে কুঁৱৰীয়ে ভাবিলে, জীৱন সুখময়। সুখৰ চিন্তাত তেওঁৰ মুখ ফৰকাল হৈ উঠিল। ৰজাৰ ফালে চাই কুঁৱৰীয়ে মাত লগালে, মহাৰাজ, আপোনাৰ অসাধাৰণ শকতি; কিন্তু আপোনাৰ প্ৰতিজ্ঞা ৰক্ষা নপৰিল, মই আপোনাক বিয়া কৰিব নোৱাৰিম।

পায়াং-ৰজাৰ হাত কুঁৱৰীৰ হাতৰপৰা এৰা থালে।

ৰজাই খঙেৰে সুধিলে—মোৰ প্ৰতিজ্ঞা ৰক্ষা নপৰিল, কিয়?

য়োংবাঙে মিচিকিয়া হাঁহি মাৰি কলে—এটা মন্দিৰ আৰু এটা মূৰ্ত্তি ঘাটি—এজেহাৰ পুৰা হোৱা নাই।

ৰজাই বলিয়া হোৱাদি মন্দিৰ আৰু মূৰ্ত্তিবোৰ লেখি কলে, ঠিক কৈছা, এটা কম। বাৰু সেইটো সাউৎকৰে কৰাই দিওঁচোন।

তাৰ পিছত ৰজাই স্থিৰ দৃষ্টিৰে য়োংবাঙৰ ফালে থৰ লাগি চাই ৰল, চকুৰপৰা যেন জুইৰ ফিৰিঙটি হে বাহিৰ হৈছে। দেৱতাসকলৰ সহায়ৰ কাৰণে তেওঁ স্তব্ধ কৰিব ধৰিলে। য়োংবাঙে অনুভৱ কৰিলে, তেওঁৰ যেন তেজ হিম হৈ যাব ধৰিছে। তেওঁ কথা কবলৈ চেষ্টা কৰিলে, নোৱাৰিলে। জিভা যেন তালুত লাগিল, ওঁঠ নলৰিল।

মাটি ভেদ কৰি তেওঁক বেৰি এটা মন্দিৰ ফুটি ওলোৱা দেখি য়োংবাঙৰ হাঁহি নাইকিয়া হ'ল। তেওঁৰ অন্তৰত ভয় সোমাল। লিগিৰীইতে ভিতৰলৈ গৈ দেখিলে, ৰাজকুঁৱৰী থিয় হৈ আছে। তাইহঁতে তেওঁক মাতিলে, তেওঁৰ কোনো সাৰি-শব্দ নাই···ৰাজকুঁৱৰী শিল হৈছে। লিগিৰীইত যেতিয়া ওলাই আহিল পায়াং-ৰজা তেতিয়া তাত নাই।—প্ৰবাসীৰপৰা

বিশ্ব প্ৰৱাহ

নাৰী পুলিছ



নতুন দিল্লীৰ তিৰোতা কনিষ্টবল

নতুন দিল্লীত দহজনী তিৰোতাক পুলিছৰ চাকৰিত ভৰ্ত্তি কৰি কনিষ্টবল পাতিছে। তেওঁলোকৰ পৰা সুন্দৰ কাম পোৱা হৈছে।

বটগছত তালগছ



বটগছত গজা তালগছ

কলিকতাৰ ধাকুৰীয়া লেকৰ বোইং ক্লাব হাউচৰ গুৰিত এজোপা বটগছ আছে। সেই গছজোপাৰ মাজত এজোপা তালগছ জন্মিছে।

শাৰীৰিক শক্তি



মিঃ এইচ, মেন বহমান গৰুৰ বলধ গৰু এটা কঢ়িয়াই নিব ধৰিছে

মিঃ এইচ, মেন আমেৰিকা যুক্তৰাষ্ট্ৰৰ জাৰ্ম্মনেটাউনৰ। তেওঁৰ বয়স ২৫ বছৰ। তেওঁ শাৰীৰিক শক্তি চৰ্চ্চা কৰিব ধৰিছে। তেওঁ পিঠিত ৮০০ পাউণ্ড (এপাউণ্ড প্ৰায় আদসেৰ) ওজনৰ হালোৱা গৰু এটা তুলি লৈ কঢ়িয়াই নিব ধৰিছে। তেওঁ আশা কৰে যে তেওঁ পৃথিবীৰ সবাতোকৈ বলী মানুহ হব।

ভেঁৰা-ছাগলীৰ বেচ

পচিম দেশত ভেঁৰা-ছাগলীৰ প্ৰতি মানুহে কেনে ধৰ লয় তাক এই ভেঁৰা-ছাগলীটোৰ বেচৰপৰা বুজিব পাৰি। ইংলণ্ডত এই ছবিত দেখুৱা ছাগলী নিলামত বিক্ৰী হৈছে ৪২৫ পাউণ্ডত (এপাউণ্ড প্ৰায় ১৪৲ টকা)।



এই ভেৰা-ছাগলীটোৰ বেচ প্ৰায় দুহাজাৰ টকা

ছিৰা কাপোৰেৰে ধন ঘটা

বহুতে ভাবে, মূলধন নোহোৱাকৈ কোনো কাৰবাৰ কৰিব নোৱাৰি। এই ভাব তেনেই অৰ্থহীন। মূলধন নোহোৱাকৈ অনেক কাৰবাৰ কৰিব পাৰি। তাৰে এটা ছিৰা কাপোৰৰ ব্যৱসায়। আমাৰ দেশত অনেকে ছিৰা ধুতী, চেলেং, ছোৱা, মোজা, পঁচৰা, কঁথা আদি পেলাই দিয়ে। ছিৰা কাপোৰ কাকত তৈয়াৰ কৰাত লাগে। গাঁও আৰু নগৰৰ অসংখ্য ছিৰা কাপোৰ গোটাই খুপ লগাই মোনহিচাপে কাকত-বেপাৰীক বেচিব পাৰি। ই কোনো নীহ কামো নহয়। ছিৰা কাপোৰ গোটাবলৈ কোনো বাৰী চুখুনীক নিযুক্ত কৰিব পাৰি। সেই তিৰোতাৰপৰা মোনহিচাপে বা আন কোনো বন্দৱস্তত ছিৰা কাপোৰ কিনি লব লাগেগ। যথেষ্টপৰিমাণে ছিৰা কাপোৰ গোটাব পাৰিলে বিলাতলৈও চালান দিব পাৰি। তেতিয়া বহু টকা আয় হব। এই ব্যৱসায়টো হাতত লবলৈ সমূলি মূলধন নালাগে, লাগে যদিও, দুই এটকা হলেই হয়। কোনোবাই কব পাৰে যে বাটে পথে বা পথাৰত নিবোৰ ছিৰা কাপোৰ পোৱা হয়, তাৰপৰা নানাবিধ সোঁচৰা ব্যাধি হব পাৰে। কিন্তু 'টেক্সটাইল্ ৰেল ৰেকৰ্ড'ত প্ৰকাশ,—ডাঃ হলিৰেল ভিৰেচবেৰীৰ স্বাস্থ্যৰক্ষকে কয় যে ছিৰা কাপোৰৰপৰা কোনো সংক্ৰামক বেমাৰ হোৱা দেখা পোৱা নাই। বেট্‌লি নগৰৰ জন্ম-মৃত্যু বেজিষ্ট্ৰাৰে কয় বোলে ২৩ বছৰ জুৰি বিবিনি অভিজ্ঞতা পাইছোঁ, তাৰপৰা বুজিছোঁ যে হাড়ৰপৰা কোনো সংক্ৰামক ব্যাধি হৈছে বুলি জানিব পাৰা নাই। এতেকে, ছিৰা কাপোৰৰ বেপাৰ কৰিলে যে নানান বেমাৰত ভুগি মৰিব লাগিব, এনে কোনো কথা নাই।

হাড়ৰ গুৰিৰপৰা মাটিৰ উত্তম সাৰ হয়। অনেক ঠাইত হাড় গুৰি কৰা হয়। আৰু তাৰে স্বাস্থ্যও হানি কৰা হয়। সেই গুৰি চেনি, ময়দা আৰু লোণত মিহলোৱা হয়। তাত জানো স্বাস্থাহানি নহয় ?

কিন্তু হাড়ৰ সেই গুৰিৰ যদি মাটিৰ সাৰ কৰা হয় তেন্তে, তাৰ দ্বাৰা খেতিথালা নদন-বদন হৈ উঠি খেতিয়ক-সকলক চহকী কৰে।

নিবন্ধুৱা অসমীয়া ভেকাসকলে ছিৰা কাপোৰৰ ব্যৱসায়লৈ মন দিব নে ? কোনোবাই এই বিষয়ে বহল বিবৰণ জানিব খুজিলে কলিকতাৰ 'প্ৰসম-বাণিজ্য-বাতৰি-সমিতি'ৰ সম্পাদকৰ লগত লিখালিখি কৰিব পাৰে।

সুবৃহৎ হাতীদাঁত



চাইবেৰিয়াত পোৱা বৃহত্তম হাতীদাঁত

চাইবেৰিয়াত এটা অতি বৃহৎ হাতীদাঁত পোৱা হৈছে। ই দীঘলে প্ৰায় ১৪ ফুট হব। দাঁতটো দখিণ কেন্‌ছিংটনৰ 'স্বাভাৱিক ইতিহাসৰ যাদুঘৰ'ত আছে। এই হাতীদাঁতটো পৃথিবীৰ আটাইবোৰ হাতীদাঁততকৈ ডাঙৰ।

মটবগাড়ীব গতি



মিঃ স্মিথ

মিঃ স্মিথ অষ্ট্রেলিয়াবাসী। মটবেবে কিমান বেগাই যাব পাবি, সেই সম্বন্ধে আগব সকলো গতিকে তেওঁ চেব পেলাইছে। তেওঁ পবীক্ষা কবোঁতে মটবেবে দহমাইল বাট গৈছিল। ঘণ্টাইপতি তেওঁব মটবব বেগ গবে ১৬৪ মাইল।

মিঃ জে, এ, মলিছন

মিঃ জে, এ, মলিছন এজনা কৃতী আকাশী বখ-চলাওঁতা। তেখেতে এবোপ্লেনেব কেপ্‌টাউনলৈ উবি গৈ ৪½ দিনত সেইখিনি পাইছিল। ইমান কম সময়ত আগেয়ে আন কেৱে কেপ্‌টাউনলৈ 'প্লেনেবে উবি যাব পাবা নাছিল।



মিঃ জে, এ, মলিছন

জার্ম্মেনীব সাধাবণ নির্ব্বাচন



ভন হিণ্ডেনবার্গ– বেডিওত বাহনি-বক্তৃতা দিব লাগিছে

জার্ম্মেনীব সাধাবণতন্ত্র যুক্তবাষ্ট্র এই কেইখন বাজ্য লৈ গঠিত। যেনে—প্রুচিয়া, বেভেবিয়া, উটেমবার্গ, বেডেন, চাক্সোনি, মেক্‌লেন্‌বার্গ (১), ব্রানচবিক, মেক্‌লেন্‌বার্গ (২), আবিষ্টিয়া, হিচে, ওল্ডেনবার্গ, আন্‌হাল্ট, লিপ্পে, শ্বোবামবার্গ, হামবুর্গ, লবেক, ব্রেমেন আৰু আন আন কেইখনমান সক সক বাজ্য। এই বাজ্যবোবব ভিতবত প্রুচিয়া সবাতোকৈ ডাঙব আৰু প্রধান। ১৯১৮ চনব ১৩ নৱেম্বব তাবিখে প্রুচিয়াত সাধাবণতন্ত্র ঘোষণা কবা হয়। ইয়াব আগেয়ে হোহেনজোলার্ন বাজপবিয়ালব বজা বা কাইজাব সকলে গোটেই দেশব ওপবত বাজত্ব কবিছিল। ১৯২০ চনব ৩০ নৱেম্বব তাবিখে প্রুচিয়াত শাসনতন্ত্র গঠিত হয় আৰু তাত ২০ বছবব ওপব বয়সীয়া মুনিহ-তিবোতা নির্ব্বিশেষে ভোট দিব পাবা হয়। নাজি-দল নামে জার্ম্মেনীত এটা দল আছে। এই দলব আগেয়ে বিশেষ কোনো প্রতিপত্তি নাছিল। কিন্তু এই বেলি এই দলেই নির্ব্বাচনত আন সকলো দলকে চেব পেলাই জয় লাভ কবিছে। ফিল্ড-মার্শাল ভন্ হিণ্ডেনবার্গ সভাপতি নির্ব্বাচিত হৈছে। তেখেত আগব বাবতো সভাপতি আছিল। সাম্যবাদী নেতা হাব ষ্টিট্‌লাবো সভাপতিব পদপ্রার্থী আছিল। সভাপতি নির্ব্বাচনব দিনা নাজিদল আৰু সাম্যবাদী দলব মাজত কাজিয়া লাগি ওজন মানুহ মৰে।



সাম্যবাদী নেতা হাব হিট্‌লাব

আয়াবলণ্ডব নব-ডেল উদ্বোধন



আয়বলণ্ডব নব-ডেল (new Dail) মুকলি কবাঁতে সভাগৃহব বাহিবত গোট খোৱা বিপুল জনতাব দৃশ্য। স্বাধীনতা ঋষি ডি, ভেলেবা এক্সিকিউটিভ কাউন্সিলব সভাপতি নির্ব্বাচিত হৈছে।



মিঃ ডি, ভেলেবা

পার্থ-সাৰথি

(৫ম সংখ্যাব পিছবপব।)

নাট— —শ্রীযুত বিনন্দচন্দ্র বকৰা, বি-এ

২য় অঙ্ক

৭ম দৃশ্য—যুদ্ধক্ষেত্রব একাংশ

(ভীষ্মই যুদ্ধ কবি আছে)

ভীষ্ম—এইবাব সাৰধান যদুপতি! অর্জ্জুনক বাখা। বথ থিবেবে বাখা। নিজব গোপিকাবঞ্জন সুন্দৰ সুঠাম দেহটিক ক্ষুদ্র ভীষ্মব হাতব পবা বক্ষা কবা। মোব প্রতিজ্ঞা ভঙ্গ হল প্রভু! তোমাব ছলনাত (শব মাবি যাব খোজে)। অ' সৌম্য যদুপতিয়ে বথব পবা নামি হাতত বথব চক্র লৈ যুদ্ধ কবিবলৈ আহিছে। সেই উদ্দেশ্যে মযো নামি আহিছোঁ। (নিজে অহা ফাললৈ চাই) সাৰথি! তুমি বথ আঁৰবাই বাখা, মোব উদ্দেশ্য সিদ্ধি হৈছে।

নেপথ্যত সাৰথি। আপোনাব আজ্ঞামতে বথ ঘুবালো প্রভু!

ভীষ্ম—(স্বগতঃ) অর্জ্জুন! তোমাব সাৰথিক বধী কবি তুমি কি বং চাইছা (হাতত বথব চক্র লৈ বঙ্গেবে শ্রীকৃষ্ণব প্রবেশ)

কৃষ্ণ—(বঙ্গেবে) ভীষ্ম!

ভীষ্ম—কৰুণাময়! ভীষ্মব উদ্দেশ্য সিদ্ধি কবা।

(হাতব ধনুশব পেলাই আঁঠু কাঢ়ি কবযোব কবে)

শ্রীকৃষ্ণ—(বঙ্গেবে) জনা ভীষ্ম, তোমাবে সৈতে গোটেই কৌবব-বংশ খন্তেকতে সংহাব কবিব পাবো।

ভীষ্ম—ভগবান! তাকে কবক বুলিয়েই বথব পবা নামি সাজু হৈ আছোহি। হে গোপিকাবঞ্জন! হে মধুসূদন! মি মবণ গৌৰবব কাবণে চবাচবে বাঞ্ছা কবে, আজি অপ্রত্যাশিতভাবে সেই মবণ নিশ্চালি দি ভাষ্মক কৃতার্থ কব।

শ্রীকৃষ্ণ—তোমাব যদি ইমান ভক্তি তেন্তে জানি-শুনিও কৌবৰব ফলীয়া কিয় হৈছিলা? তুমি দেখুওৱা, তুমি ধাৰ্ম্মিক, কিন্তু ধর্ম্মব বিৰুদ্ধে অস্ত্র ধবা।

ভীষ্ম—সেই কথা মই স্বীকাব কবো প্রভু! দুর্য্যোধনব অনুগ্রহত জীবন-যাত্রা নির্ব্বাহ কবি বিপদব সময়ত দুর্য্যোধনক এবি আহিলে জগতে মোক কি বুলিব? তোমাব অনুগ্রহত ভীষ্মব আজি যিকেবা গৌৰব আছে সিও ধ্বংস হব। তথাপি যতদূব সম্ভব দুর্য্যোধনক এই সর্ব্বনাশী যুদ্ধব পবা বিবত কবিবলৈ চেষ্টা কবিছিলো, কিন্তু কি হব, যমে যাব চুলিত ধবি টানে তাবেই অমৃতো বিষতুলা।

শ্রীকৃষ্ণ—তেন্তে তোমাব প্রচুব অন্ত্রায় কামত প্রশ্রয় দিয়াই, কুৰুক্ষেত্রব এই ভীষণ সমবত তুমি সেনাপতি হোৱাই একমাত্র উদ্দেশ্য।

ভীষ্ম—দেখাত সেয়ে একমাত্র উদ্দেশ্য হলেও প্রভু! তুমি ভীষ্মব বৈৰী নহলে তাক আনে সংসাব-সাগবব পব। মুক্ত কবিব নোৱাবে। প্রভু! ভীষ্ম ইচ্ছামৃত্যু। মোব দহদিন মাত্র যুদ্ধব প্রতিজ্ঞা। দহদিনতকৈ বেছি মই যুদ্ধ নকবোঁ। যুধিষ্ঠিবে মোক সেনাপতি হোবা দেখি ভয় খাই মোব ওচবলৈ আহিছিল। যুধিষ্ঠিবক মই কৈ থৈছোঁ, পাণ্ডবব জয় নিশ্চিত। তথাপি অস্ত্রে-শস্ত্রে সুসজ্জিত থকা অবস্থাত মোক কোনেও বধ কবিব নোৱাবে। শিখণ্ডি পুৰুষ নহয়। এই শিখণ্ডিক মোব আগত থৈ অস্ত্র প্রহাব কবিলে মই অস্ত্র সংবৰণ নকবো। মোব বধব নিমিত্তেই শিখণ্ডিব অৱতাব। প্রভু! মোব বধব উপায় পর্য্যন্ত মই যুধিষ্ঠিবক কৈ থৈছোঁ, তথাপি কালি মোব প্রতিজ্ঞা ভঙ্গ কবালা ছলনাময়! সেই নিমিত্তে তোমাবো প্রতিজ্ঞা ভঙ্গ

কৰিলো। তোমাৰ কুৰুক্ষেত্ৰত অস্ত্ৰ নধৰো বোলা কথা মিছা হল প্ৰভু!

শ্ৰীকৃষ্ণ—তেন্তে ভীষ্ম! তুমি মোৰ প্ৰতিজ্ঞা ভঙ্গ কৰিবলৈ মোক ক্ষত-বিক্ষত কৰিছিলা?

ভীষ্ম—অকল সেয়ে নহয় প্ৰভু! তোমাৰ চক্ৰ সম্বৰণ নকৰিবা, অধমৰ প্ৰাৰ্থনা পূৰণ কৰা, এই দীনহীনৰ পূজা গ্ৰহণ কৰা। (আঠু কাঢ়ি কৰযোৰে স্তৱ কৰে)

* * * * *

নমো নাৰায়ণ হৰে।
নমো নাৰায়ণ হৰে।
ভকতৰ ধন অৰুণ চৰণ
সেৱকে বাঞ্ছা কৰে।
নমো নাৰায়ণ হৰে।
শ্ৰীমধুসূদন পতিতপাবন
পতিতে চৰণ ধৰে।
নমো নাৰায়ণ হৰে।
জগত কাৰণ পাপ বিনাশন
নামে যাৰ পাপী তৰে।
নমো নাৰায়ণ হৰে।
হে হৰি শ্ৰীহৰি মুকুন্দ মুৰাৰি
দীনজন পদে পৰে।
নমো নাৰায়ণ হৰে।

শ্ৰীকৃষ্ণ—ভীষ্ম! মই তোমাৰ ভক্তিত সন্তুষ্ট, তুমিও জানিবা ভক্তৰ বাহিৰে মোৰ প্ৰতিজ্ঞা কোনেও ভাঙ্গিব নোৱাৰে। তোমাৰ ভক্তি আৰু বীৰত্বৰ তুলনা ভূমণ্ডলত বিৰল।

(অৰ্জ্জুনৰ বেগেৰে প্ৰবেশ)

অৰ্জ্জুন—যদুপতি! কুৰুক্ষেত্ৰৰ যুদ্ধত অস্ত্ৰ নধৰো বুলি কৈ এতিয়া অস্ত্ৰ ধৰা ভাল হোৱা নাই। মই নিমিত্তৰ ভাগ লবলৈ নাপাম নে কি সখি?

শ্ৰীকৃষ্ণ—বলা অৰ্জ্জুন! মোৰ অস্ত্ৰ ধৰিবৰ ইচ্ছা সমূলি নাই; কিন্তু তুমি এতিয়াও মায়া মোহ ত্যাগ কৰিব পৰা নাই দেখিহে মই অস্ত্ৰ ধৰিবলৈ বাধ্য হৈছো।

অৰ্জ্জুন—ক্ষমা কৰা সখি! মই নোৱাৰাৰ কাৰণেহে পিতামহে তোমাক ক্ষত-বিক্ষত কৰিলে।

(ভীষ্মই আঠু কাঢ়ি চকু মুদি কৰযোৰে থাকোতেই কৃষ্ণাৰ্জ্জুনৰ প্ৰস্থান)

ভীষ্ম—(চকু মেলি চক খাই) প্ৰভু! প্ৰভু! তুমি মোক তোমাৰ মৃত্যু নিৰ্ম্মালিৰ পৰা বঞ্চিত কৰিলা আৰু বেছি সময় নাই। [প্ৰস্থান

(দুটা অনাৰ্য্য সৈনিকৰ যুজ কৰি কৰি প্ৰবেশ)

১ম সৈঃ—তই অবলা জানিছ তই হে যাদু জান বুলি। মই নাজানুৱেই নাকি? মোৰ ৰজাটোৰ ঘৰেই কামৰূপত, জনা নাই অবলা? গোটেই দেশকনেই যাদুতে যাদুতে পুত কাই আছে. আমি তোৰ নিচিনা মানুহক কুকুৰ কাৰ দিব পাৰো।

২য় সৈঃ—বৰ কতাটো কৈছ। আমি নাজানুওেই অবলা। আমাৰ অলেম্বুক ৰজাটো; তুৰ গটোৎকচ ৰজাতকৈ বৰ ডাঙ্গৰ। (হাতেৰে দেখুৱাই) ইমান ডাঙ্গৰ। তঅঁতৰটু ইমানকণ (হাতেৰে দেখুৱাই)! বাটতে পুৰি কাই তব পাৰি। বাৰু তইনা ইমান দূৰ দেকৰ পৰা ইয়াত মৰিবলৈ আহিলি কেলৈ আকৌ?

১ম সৈঃ—মোক যে সুধিছ তইনো কেলৈ আহিলি?

২য় সৈঃ—মই ৰজাৰ লগত আহিলে, তই তাকু নাজান না?

১ম সৈঃ—ময়ো আকৌ ৰজাৰ লগত আহিলি সুধিছ কেলৈ?

২য় :—তইনা কি যাদু জান দেকুৱাচোন বাৰু।

১ম সৈঃ—ৰ বাপেৰে দেকুৱাম এতিয়া। (হাতত ধূলি দুটামান লৈ) পুক মন্ত্ৰ পুক, কামৰূপ-কামাক্যা পুক। মআদেৱ পুক। (দ্বিতীয় সৈনিকৰ গালৈ মাৰি) তই গুৰি গুৰি বাগৰি বাগৰি হাঁহি তাক। (দ্বিতীয় সৈনিকে ঘূৰি ঘূৰি বাগৰি থাকে)

১ম সৈ :—পাইছনা মজাটু বাপেৰে। (আকৌ ধূলি লৈ মাৰ) পুক মন্ত্ৰ পুক, পগলা মহাদেউ পুক। পাগলী মাই পুক। ধূলি মাৰি তই উঠি যা। (২য় সৈনিক উঠি পৰে)

২য় সৈঃ—তুকু উদাই নেৰো ৰ বাপেৰে। আজি…

১ম সৈঃ—উদাই এৰিবলৈ ক'ত পাবি? (খেদি যায়, দুয়োটাই আটাহ পাৰি যুজ কৰি লৰি গুচি যায়)।

৮ম দৃশ্য—কুৰুক্ষেত্ৰৰ একাংশ

শিখণ্ডি—(স্বগতঃ) আজি মনত পৰিছে সিজন্মৰ কথা। নিজ স্বাৰ্থৰ কাৰণে দেৱব্ৰতৰ ভয়ানক অন্যায়ৰ কথা। ভাল সোঁৱৰাই দিলা যদুপতি! প্ৰতিশোধ লবৰ আজিয়েই শেষ দিন। ভীষ্ম সেনাপতি হোৱা আজি দহদিন হল। আজিৰ দিন সাৰিলে আৰু এনে দিন কেতিয়াও নাহে। অম্বা হৈ মই ভীষ্মক বধ কৰিব নোৱাৰিলো, সেই কাৰণে আজি শিখণ্ডিৰূপে জন্মগ্ৰহণ কৰিছো। ভীষ্মক বধ নকৰি গোটেই জীৱনটে ৰ উদ্দেশ্য নষ্ট কৰা মূৰ্খালি মাথোন। দেৱব্ৰত, আজি সাৱধান! মনত পেলোৱা তোমাৰ অলৰ অচল প্ৰতিজ্ঞা; মনত পেলোৱা তুমি কেনেকৈ মহাৰাজ শাল্বৰ নিচিনা পতিৰ পৰা বঞ্চিত কৰিলা; মনত পেলোৱা তুমি সত্য ৰক্ষাৰ নিমিত্তে মোক কেনেকৈ প্ৰত্যাখ্যান কৰিলা। [প্ৰস্থান

(কৃষ্ণাৰ্জ্জুনৰ অলপ পিছতে প্ৰবেশ)

শ্ৰীকৃষ্ণ—ঘোঁৰা কেইটাই অলপ জিৰণি লক সখি! ক'তা, এইফালে শিখণ্ডিক অহা দেখিছিলো নহয়। ক'লৈ গল? ভালেতোহে ভীষ্মই অস্ত্ৰ ত্যাগ কৰে। ই সদায় অমঙ্গলীয়া।

অৰ্জ্জুন—শিখণ্ডিক মোৰ আগত বহুৱাই ললে পিতামহে নিশ্চয় অস্ত্ৰ ত্যাগ কৰিব। সেই অৱস্থাত মোৰ পক্ষে অস্ত্ৰ প্ৰয়োগ কৰা টান হব সখি!

শ্ৰীকৃষ্ণ—সেইবোৰ কথাৰ এতিয়া সময় নহয়। মই যি কৰিবলৈ কম তাকে কৰিবা। দেখা নাই নে ভীষ্মৰ কি ভীষণ বীৰত্ব! ৰথে সৈতে আমাক পাছলৈ পঠাইছে। সেই বীৰক সাধাৰণভাৱে কোনেও বধ কৰিব নোৱাৰে।

অৰ্জ্জুন—পিতামহে মোৰ ৰথখন লৰালতেই ইমান ভয় খাবৰ আৱশ্যক কি যদুপতি? মই দেখোন পিতামহক ৰথে সৈতে অনেক দূৰলৈ ঠেলিলো।

শ্ৰীকৃষ্ণ—অৰ্জ্জুন! তুমি এতিয়াও একো জনা নাই। তোমাৰ ৰথধ্বজা অমিত বিক্ৰমশালী পৱননন্দন হনুমন্ত; সমস্ত ব্ৰহ্মাণ্ডৰ ভৰ দি মই ৰথত অৱস্থিত; তাৰ উপৰি তুমি আছাই; এনে অৱস্থাত তুমি তোমাৰ ৰথ ভীষ্মৰ ৰথৰ লগত কেনেকৈ ৰিজাবা? ভীষ্মৰ ৰথ অনেক ক্ৰোশ ঠেলাতকৈও তোমাৰ ৰথ লৰোৱাটো বেছি আচৰিত।

অৰ্জ্জুন—এনে বীৰক বধ কৰা যুক্তিসঙ্গত নহয় সখি!

শ্ৰীকৃষ্ণ—যুক্তি আৰু অযুক্তি মই জানো। মই যিহকে কৰিবলৈ কওঁ তাকে কৰিম বুলি প্ৰতিজ্ঞা কৰি থৈছা। এতিয়া মই কৈছো তোমাৰ ৰথৰ আগত শিখণ্ডিক বহুৱাই লৈ ভীষ্মক বধ কৰা। তুমি ভীষ্মক ধৰাশায়ী নকৰিলে শিখণ্ডিৰ হতুৱাই হলেও কৰামেই। ধাৰ্ম্মিক মহাবীৰ ভীষ্ম শিখণ্ডিৰ হাতত মৃত্যু হবৰ যোগ্য নহয়, সেইদেখি মোৰ সাক্ষাতে শিখণ্ডিক আগত থৈ ভীষ্মৰ লগত যুদ্ধ কৰাহি। সোৱা শিখণ্ডি আহিছেই।

(শিখণ্ডিৰ প্ৰবেশ)

শিখণ্ডি—যদুপতি! আপুনি মোকেই বিচাৰি ফুৰিছে নেকি? ময়ো আপোনাক বিচাৰি ফুৰিছো।

শ্ৰীকৃষ্ণ—যুদ্ধৰ কি খবৰ শিখণ্ডি?

শিখণ্ডি—যুদ্ধৰ খবৰ আৰু কি হব, কৃষ্ণাৰ্জ্জুনক নেদেখি ভীষ্মই পাণ্ডৱৰ সৈন্য ধ্বংস কৰিবলৈ ধৰিছে। বৃকোদৰে সৈন্য ৰক্ষা কৰিব পৰা নাই। ভীষ্মৰ আজি পৰাক্ৰম অসীম।

শ্ৰীকৃষ্ণ—শিখণ্ডি! তোমাৰ জন্মৰ কথা মনত থাকিব পায়। আহাঁ, আজিয়েই শেষ দিন। আজিৰ পৰা আৰু প্ৰতিশোধৰ সুবিধা নাই।

শিখণ্ডি—ময়ো আপোনাক সেই কাৰণেই বিচাৰি ফুৰিছোঁ।

শ্ৰীকৃষ্ণ—তেন্তে আহাঁ, সৌৱা ভীষ্মই কালান্তক যমৰ দৰে সৈন্য সংহাৰ কৰিছে। সৈন্যবিলাক ঠাৱৰিব নোৱাৰি পলাবলৈ ধৰিছে।

(আগে আগে কৃষ্ণ, পাছে পাছে শিখণ্ডি আৰু অৰ্জ্জুনৰ প্ৰস্থান। কৃষ্ণাৰ্জ্জুন যোৱা ফালৰ পৰা সৈন্য গোট চেৰেক ভয়ত লৰি যায়। অলপ পিছতে ফোঁপাই ফোঁপাই চুচুক-চামাককৈ সন্তৰ প্ৰবেশ)

সন্ত—হ'ক তেও কোনোমতে এইখিনি পালোহি। যুদ্ধ চাই থকাতকৈ কৰাটোহে বেছি ভাল। যুদ্ধ কৰি মৰিলেও সন্তোষ জীলেও সন্তোষ। (হঠাৎ উত্তেজিত হৈ) বাঃ সন্ত, তই জী থাকি কৰিবি কি? যদি ন্যায়-যুদ্ধত তোৰ অঙ্গহি-বঙ্গহিবোৰ বন্দী হৈ তিল-তিলকৈ জীৱন দিব লাগে, যদি নিষ্ঠুৰ বিপক্ষৰ স্বাৰ্থৰক্ষাৰ নিমিত্তে প্ৰাণ দিব লাগে, যদি দেশৰ দানী, মানী, বিদ্বান, বুদ্ধিমান, দেৱতুল্য লোকসকলে প্ৰাণপণ কৰি অন্যায়ৰ প্ৰতিকাৰৰ নিমিত্তে ওলাব লাগে, তই তোৰ ক্ষুদ্ৰ প্ৰাণটো খামোচা মাৰি ধৰি কি কৰিবি সন্ত? জী থাকিলে ঘৃণাৰ পাত্ৰ মৰিলেও নৰক-বাস। মানুহৰ দৰে মৰা, মানুহৰ দৰে শক্তি লৈও সত্যৰক্ষাৰ নিমিত্তে সাহ কৰাবোৰে তোক কি কৰিব কব পাৰ নে?—লখিয়াব, কাণ মলিব, হাঃ হাঃ হাঃ—ভৰিত ধৰি চৰিয়াব। (আতৰলৈ চাই) সূৰ্য্য ঢাকিলে। কিনো শৰৰ কোব ঔ! আজি শেনৰ একজাত, হয় অৰ্জ্জুন, নহয় ভীষ্ম—যমৰ ঘৰত এজনলৈ ঠাই ঠিক হৈ আছে। দেখা যাওক ক'ৰ পানী কলৈ যায়। এইবাৰ ভাল চোকা চাই দা এডোখৰিয়ে ঢাল এখনিয়ে গোটাই লব লগা হল। সৌৱা এজাক যমৰ আলহী লৰি আহিছে। ধৰ্ম্মৰাজ! তুমি সিফালে সিধা-পাতি গোটোৱা, ইফালে আমাৰ ফলীয়া সাৰথিয়ে নিজে ভাল মানুহটি হৈ থাকি লোকৰ হতুৱাই এটি দুটিকৈ পঠিয়াই থাকিব। [বেঙা মেলি চাই প্ৰস্থান।

(দুৰ্য্যোধন আৰু কুৰুসৈন্যৰ প্ৰবেশ)

দুৰ্য্যোধন—কি চাই আছা কুৰুবীৰ সকল! কপট কৃষ্ণই ৰথৰ আগত শিখণ্ডিক বহুৱাই লৈ ভীষ্মবধৰ আয়োজন কৰিছে। অৰ্জ্জুনে নিতান্ত কাপুৰুষৰ দৰে সহস্ৰ সহস্ৰ অস্ত্ৰ ত্যাগ কৰিছে। আৰু আশা নাই, কুৰুবীৰসকল! আৰু আশা নাই। পিতামহক বেঢ়ি ধৰি ৰক্ষা কৰা। [প্ৰস্থান।

কুৰুসৈন্য—জয় মহাৰাজ দুৰ্য্যোধনৰ জয়, জয় কুৰুপতিৰ জয়। [সৈন্যসকলৰ বেগেৰে প্ৰস্থান।

(বিপৰীত ফালৰ পৰা ঢাল-তৰোৱাল লৈ সন্তৰ প্ৰবেশ)

সন্ত—হাঃ হাঃ হাঃ! কুৰুপতিৰ জয়! জয় আৰু নহব, হোৱাৰ আশা নাই। ভীষ্মই নিজে নিজক নাৰাখিলে এশ দুৰ্য্যোধনেও ৰক্ষা কৰিব নোৱাৰে। অৰ্জ্জুনৰ শৰে ভীষ্মক থকা-সৰকা কৰিলে। (আঁতৰলৈ চাই) আঃ বৰ নিষ্ঠুৰ কৃষ্ণ! কুৰুবৃদ্ধ ৰথৰ পৰা বাগৰি পৰিল। শৰৰ শয্যাই মহাবীৰৰ শয্যা হল। কৌৰৱৰ ধৰণী ভাগিল, সন্ধ্যা হোৱাৰ লগে লগে পৃথিবীৰ এটি ৰত্ন খহি পৰিল। আজিলৈ যুদ্ধ শেষ—জয় পাৰ্থ-সাৰথিৰ জয়। [প্ৰস্থান।

(গঙ্গাৰ প্ৰবেশ)

গঙ্গা—অসম্ভৱ, ইচ্ছামৃত্যু গাঙ্গেয়ৰ মৃত্যু অসম্ভৱ! প্ৰকৃতিস্থ হ গঙ্গা, তোৰ পুত্ৰ ভীষ্মক কোনেও বধ কৰিব নোৱাৰে। যদি কপট কৃষ্ণই মোৰ পুত্ৰক মৃত্যুৰ দুৱাৰত থৈছে, তেন্তে সাৱধান কৃষ্ণ! সাৱধান! গঙ্গাৰ শক্তি অসীম. প্ৰতিশোধ—প্ৰতিশোধ—প্ৰতিশোধ—[প্ৰস্থান।

(এজন বৰাগীৰ গীত গাই গাই প্ৰবেশ)

উটি গল আজি বসুধাৰ বুকু
খহি গল মণিতাৰ।
শোণিত সাগৰ কোনে সিচি দিব
কোনে বা কৰিব পাৰ॥
আকাশত সৌ তৰা শাৰী শাৰী
উলাহত কিনো নাছে হালিজালি,
মাতিছে লগৰী নিজক পাহৰি—
আকাশী চকুৰ ঠাঁৰ॥

মৰণত আজি শৰণ বিচাৰি
দিয়ে কতজনে শোণিতত পাৰি,
গৰজি উঠিছে কালৰ কৰাল—
ধৰণীৰ হৰি ভাৰ॥

৩য় অঙ্ক

১ম দৃশ্য—প্ৰমোদ-ভৱন

(উত্তৰা আৰু ১ম সখী বহি থাকে)

উত্তৰা—এনে গান গোৱা সখী! যি গানে স্তূপীকৃত বিৰহ, বিচ্ছেদ, শোক, বেজাৰ উটাই নি পৃথিৱীক এখনি নন্দন কানন কৰিব পাৰে।

১ম সখী—সখী! তোমাৰ আকৌ কিহৰ দুখ আছে?

উত্তৰা—সেইটো মিছা কথা সখী! সুখ-দুখ মানুহৰ চিৰ-লগৰীয়া। দুখে দেখা দিছে সেইদেখি সুখক চপাব খুজিছো, সঙ্গীতকে নিমিত্ত কৰি।

১ম সখী—সুনীল আকাশত জোনে যেনেকৈ পোহৰ দিয়ে, সেইদৰে তোমাৰ জীৱন-আকাশত মহাবীৰ অভিমন্যুই পোহৰ দি আছে। কি স্নিগ্ধ, সুন্দৰ নিৰ্ম্মল পোহৰ সখী! এনে পোহৰ আৰু কোনে পাইছে? দিনটোৰ বিৰহতে ইমান বেজাৰ কৰা উচিত নহয় সখী! এইদৰে অভিমন্যুৱে যুদ্ধ এৰিলেহে হব।

উত্তৰা—যুদ্ধ এৰিব নালাগে সখী! আমি ক্ষত্ৰিয়ৰ জীয়াৰী, ক্ষত্ৰিয়ৰ কৰ্ত্তব্য কৰ্ম্ম যুদ্ধ। আৱশ্যকৰ সময়ত যি ক্ষত্ৰিয়ই যুদ্ধ এৰি ঘৰত সোমাই থাকে আমি তাক ঘিণ কৰো।

১ম সখী তেন্তে আকৌ মন মাৰি থকাৰ সকাম কি?

উত্তৰা—নহয় সখী! মোক কিছুমান অমঙ্গলে দেখা দিছে, তাতে যোৱা নিশা যিটো সমাজিক দেখিলো, মনত পৰিলে এতিয়াও বুকু কঁপি উঠে।

১ম সখী—যি সপোন দেখিলা সখী! তাৰ বিপৰীত ভালটোহে হব। তাৰ বাবে ভাবিবৰ সকাম নাই।

উত্তৰা—ঈশ্বৰে তাকে কৰক। (অলপ ভাবি) সেইবোৰ কথা এৰা। মই কোৱাটো কৰা। সৌৱা সখীসকলো আহিছে।

(২য়া, ৩য়া সখী আহি উত্তৰাক অভিবাদন কৰি ফুল উপহাৰ দিয়ে, উত্তৰাই আঁচলৰ আগৰ পৰা মোহৰ উলিয়াই উপহাৰ দিয়ে। দুই সখীয়ে ভক্তি-ভাৱে গ্ৰহণ কৰে আৰু গায়)

আমাৰ চকুৰ ঠাঁৰত বিজুলীৰ ছাটি
খোপাত তৰাৰ ফুল;
আমাৰ মধুৰ মাতত মধুৰ ভৰাল
হাঁহিত জগত ভুল।
সৌ যে আকাশ সুনীল বিকাশ
ফুলায় তৰাৰ ফুল;
অৰূপ ৰূপৰ বহল সাগৰ
ভাতেই আমাৰ মূল।
সুখৰ সৰগ দুখৰ মৰত
মনৰ উৰণ ভুল,
চাই ল জগত কিমান কাষত
ৰঙ্গৰ ৰসাল ফুল॥

(গান অলপ বাকী থাকোঁতে অভিমন্যুই পাছফালে মনে মনে শুনি থাকেহি)

অভিমন্যু—সুন্দৰ! তোমাৰ সখীসকলৰ গীতৰ ধ্বনিত মই থিৰেৰে থাকিব নোৱাৰিলো, উত্তৰা! বলা কিয় সখীসকল! গোৱা, আৰু এটি গান গাই দিনটোৰ যুঁজৰ ভাগৰ পলাই দিয়া।

উত্তৰা—গোৱা সখী! আৰু এটি গোৱা।

(সখীসকলৰ গীত)

মিলিত প্ৰাণৰ মাধুৰী।
আজি সাৱটিছে ধৰাখনি কিনো সাদৰী।
মিলন গৰিমা আজি, তালে নাচি উঠিছে;
ভগা বীণাখনি যেন নবসুৰে বাজিছে,
শুনি ধ্বনি মনোহৰ বিশ্ব উঠে শিয়ৰি।
আকুল হিয়াৰ ভাবে মৰম পৰশে,
দেৱদূতে শান্তিবাৰি মৰতে বৰষে,
হিয়াৰ কালিমাৰাশি পেলোৱা মোহাৰি।

[সখীসকলৰ প্ৰস্থান

উত্তবা—ক্ষত্রিয়ব পুত্রক বীবব বেশেবে দেখিবলৈ যিমান সুন্দব হয়, আন বেশেবে কেতিয়াও নহয়।

অভি—মোক এই বেশেবে বব ভাল দেখিছা নেকি উত্তবা? শবীবব ক্ষত আক তেজব চেকাবোবো ভাল নে?

উত্তবা—বীবব গাব তেজব চেকা একোপাহি ফুল মাথোন। সেইবোব বাক থ'ক। যুদ্ধব বাতবি কি?

অভি—সংবাদ আক কি? পিতামহে শবশয্যা গ্রহণ কবা কথা শুনিছাই। এতিয়া কৌবৱব সেনাপতি আচার্য্য দ্রোণ। পিতামহব লগে লগে আমাবো অনেক বীব হানি হৈছে. কৌবৱব কথাই নাই।

উত্তবা—গুৰু দ্রোণব লগত যুদ্ধ কবাও সামান্য কথা নহয়।

অভি—আৰু অসামান্য হৈ উঠিছে উত্তবা! কালিলৈ যদুপতিবে সৈতে পিতাই সংগ্রামব লগত যুদ্ধ কবিবলৈ যাব। তেতিয়া আমাব সৈন্য বক্ষাব কি ব্যবস্থা কবা হয় তাক কব পবা নাই। কাইলৈ আমাব বিপদ ঘন। সেই কাবণে তোমাব ওচবত বিদায় লবলৈ আহিলো, উত্তবা!

উত্তবা—আজি আকৌ এই বিদায়ব অর্থ কি? (বেজাব মনেবে তলমুব কবে)

অভি—কাইলৈ তুমুল যুদ্ধ হব। অৱশ্যে কেলেই বিদায় লৈছো কব নোৱাবো। ধবি লবা এটা মনব প্রেবণা।

উত্তবা—(বেজাব মনেবে তলমুব কবি থাকে)

অভি—(হাঁহি) ভয় নাই উত্তবা! বেজাব কবিছা কিয়? তুমি দেখোন তেজব চেকাকো ফুল বোলা।

উত্তবা—(প্রকৃতিস্থ হৈ) বেজাব আক কি কবিম! ভগবন্তই আমাব মঙ্গল কবিব।

অভি—সেয়ে হ'ক উত্তবা! আহাঁ যাওঁ। [প্রস্থান।

উত্তবা—(স্বগত) হঠাৎ বাওঁ চকু নাচিছে। বুকু ধবফবাইছে। মন উদ্ভাবল। (হাতযোব কবি) হে প্রভু মঙ্গলময়! চুলি ছিণ্ডি কাতব কবিছো। দুখুনীব প্রতি প্রসন্ন হোৱা। (পট পবে)

২য় দৃশ্য —কুৰুক্ষেত্রব একাংশ

(দ্রোণ, দুর্য্যোধন আৰু কুৰুবীবসকল)

দ্রোণ—সাধ্যব যি অতীত নহয় তাক কবিবলৈ দ্রোণক নকলেও হব। তুমি নিশ্চিন্তমনে থাকা দুর্য্যোধন! চাই থাকা, এই বৃদ্ধই কেনেকৈ মহা ভৈবৱব ৰূপ ধবি পাণ্ডবব সৈন্য সংহাব কবে।

দুর্য্যোধন—গুৰুদেৱ! আজি উপযুক্ত সময় উপস্থিত। অর্জ্জুন সংশপ্তকব যুদ্ধত ব্যস্ত আছে, কৃটবুদ্ধি দিবলৈ কৃষ্ণ নাই। উপযুক্ত সময় গুৰুদেৱ! পাণ্ডব সৈন্য সংহাব কবিবব উপযুক্ত সময়।

দ্রোণ—এই যি চক্রব্যূহ বচিত হৈছে, তাত ঠিক মই কোৱাব দবেই নিম্ন নিজ ঠাই সকলোবে ল'ক। জয়দ্রথে ব্যূহব দ্বাব বক্ষা কবক। বলা কুৰুবীবসকল! সকলোবে নিজ নিজ কর্ত্তব্যত থিব থাকিবা।

কুৰুবীবসকল—জয় কুৰুপতিব জয়! জয় কুৰুসেনাপতিব জয়! [সকলোবে প্রস্থান

সন্ত—আজি দেখা যাওক এই দিনটো কেনেকৈ যায়। কৃষ্ণও নাই অর্জ্জুনো নাই। কৌবৱ সেনাব টিখিনখিনি কোনে চায়! হওঁতে অর্জ্জুনব পুত্র অভিমন্যুও এলাপোচা নহয়। ধর্ম্মবাজে অভিমন্যুকে আগ বঢ়াইছে হবলা। যেই হ'ক তেওঁলৈ দ্রোণব বেহটোব মাজত দুর্য্যোধন গোটেইখোবেই নেওবকটা বাধ। এই লাপুৰ বুঢ়াটো হৈছে সেনাপতি. মবিবলৈ চাই দিন আছে। হয়াক পাইছে কিহে! এনেয়ে বুঢ়া তাতে বামুণ। বাতিপুবাই কাউৰীয়ে কা কবোতেই গাটি তিয়াই লৈ আজিকালিব ব'দ কাচলিত পিঠিটো মেলি দি জপং-জাপাংকৈ দিনটো কটাব পাম, তেহে শুবাব। তাকে নকবি বুঢ়া বণজিৎ, বণজিৎ। তুমি যিমানেই বুঢ়া ভকত! তোমাক কোনো চকু থকা গাভকবে ভাল নেদেখে, নহয় নে বাক? হাঃ হাঃ হাঃ! মাবচোন বাক সস্ত তয়ো এখুদা আজি। (বিপবীত ফালে চাই) আজিহে আজি আকাশ ঢাকিলে—যাওঁ ক'বলৈ লেবেলা চেংপেটা লগবীয়া এখোবব বিচাবি এশিকা দিওঁ।

(অভিমন্যু আৰু পাণ্ডবব সৈন্যব প্রবেশ। অভিমন্যুবে আগ বাঢ়ি যুদ্ধজ্ঞিত হৈ থিয় হৈ থাকে, পাণ্ডব-সৈন্য বিলাকে গান গাই-গাই প্রবেশ কবি ঘূবি ঘূবি গান গাই থাকে। সস্তই সেই দলবে লগ লৈ পাছে পাছে যায়)

মবণে আমাব শবণ ললে
মবণ আমি নকবো ভয়
বক্তবীজব বংশ আমি
হয় তো ধ্বংস নহয় তো জয়।
যুগব নায়ক মহান পুৰুষ
যুগব আত্মা মহান প্রাণ।
শক্তিপুঞ্জক ভক্ত আমি
বুহুব বক্ত কবিম দান।
মবণ আমাব ধূলা খেলা
মবণ আমাব পূজাব ফুল।
উবাওঁ সবাব বিজয় নিচান
ভয় যে মাথোন মনব ভুল।

অভি—যোদ্ধা বীবসকল! বজ্রব দবে শত্রু-সৈন্যব ওপবত পবি শত্রু-সৈন্য ধ্বংস কবা। মনত বাখিবা, আজি পার্থ-সাবথি নাই, তোমালোক প্রত্যেকেই পার্থ-সাবথি। [সস্তব বাহিবে সকলোবে প্রস্থান

দ্বিতীয়ত পাণ্ডব সৈন্য—জয় পার্থ-সাবথিব জয়! জয় ধর্ম্মবাজব জয়!

২য়—আজি আনকালব দবে মনটো ঠিক লগা নাই। (ভিতবত যুদ্ধব শব্দ হৈ থাকে) সেয়া যুদ্ধব গতি বিপবীত! পাণ্ডব-সৈন্য বিলাকে ছত্রভঙ্গ দিছে। (আঁতবলৈ চাই) অভিমন্যু কলৈ গল? ওহে ওঁঠ চেপিলে গাখীব ওলোৱা কুকুবীয়া লবাটোক যুদ্ধলৈ পঠিওৱা ভাল কথা নহল দেই। (যুদ্ধব ফালে চকুব ওপবত হাত দি চাই কাণেবে শুনা ভাও ধবি) নাই, আঁতবি থাকিব নোৱাবি, দেখা ব'ক কি ছেছে।

[প্রস্থান

(ভিতবত যুদ্ধব ভয়ঙ্কব শব্দ, সৈন্যব কোলাহল, মবিলো ওঁ, বাখোন, যুদ্ধ কব ইত্যাদি শব্দ. এট দুটা কাঁব আহি পবিবলৈ ধবে, যুদ্ধব ফালব পবা ছত্রভঙ্গ পাণ্ডব সৈন্য এটা-দুটাকৈ পাছলৈ চাই চাই ভয়েবে আঁহ বিপবীত ফালে গুচি যায়, এইদবে অলপ সময় থকাব পিছত এখন হাতেবে আনখন হাত ধবি মুখত যন্ত্রণাব চিন দেখুবাই এটা সৈনিকব প্রবেশ)

সৈনিক—মবিলো ঔ, মবিলো, নোৱাবি, উস্ হাত ভাঙিল! আজি "বেহুব" মুখত জয়দ্রথ নহয় যেনিবা সাক্ষাৎ কদ্র, আজি কোনো "বেহুত" সোমাব নোৱাবে। জয়দ্রথব নিচিনা ৰব হাতত আজি মহাবথী বুকোদব বাবে বাবে পবাজিত হৈছে! উস্ ৰব যন্ত্রণা!

[প্রস্থান

(নেপথ্যত ভয়ঙ্কব গদাযুদ্ধ, অলপ পিছতে গদাযুদ্ধ কবি কবি ভীম আৰু জয়দ্রথব প্রবেশ)

জয়দ্রথ—আৰু আশা নাই বুকোদব! অভিমন্যুই শেষ, আৰু কোনো বেহুত সোমাব নোৱাবে।

ভীম—জয়দ্রথ! সামান্য লবা এটাক ব্যূহব ভিতবত সুমাই লৈ কাপুৰুষব দবে বেটি ধবিবলৈ লাজ লগা নাহ

জয়দ্রথ—অভিমন্যু বীব, বীবব দবে ব্যূহত প্রবেশ কবিছে, তুমি সুপুৰুষজনে কিয় নোৱাবিবা?

ভীম—নগণ্য জয়দ্রথব হাতত এতিয়াও ভীমব পবাজয় হোৱা নাই। সাৱধান জয়দ্রথ!

(দুয়োবো গদাযুদ্ধ—ভীমব পবাজয়, আৰু বিপবীত ফালে ভীমব প্রস্থান)

জয়দ্রথ—(ফোপাই ফোপাই তাচ্ছীল্য কবি) নগণ্য জয়দ্রথ, তাব হাতেতে আকৌ গণ্যমান্য বুকোদবব পবাজয়! (বণব ফালে উভতি প্রস্থান, অলপ পিছতে বিপবীত ফালব পবা ভীমব প্রবেশ)

ভীম—জয়দ্রথ! নাই, ভীম এতিয়াও মবা নাই, অসম্ভব! অসম্ভব! যুঁজব গতি বিপবীত! কৃষ্ণই আজি জানি শুনিও আমাক বিপদত পেলাইছে। (নেপথ্যত জয় কুৰুপতিব জয়, জয় কুৰুপতিব জয়) ভীমব হাতত এই ভয়ঙ্কব গদা থাকোতে কি শুনো—

"জয় কুরুপতির জয়"। ভীম! এতিয়াও তই জীয়াই আছ নে? এইটো তোৰ শৰীৰ ন কম্পাল, (জয় কুরুপতির জয়—সৈন্যৰ কোলাহল আৰু বণৰ শব্দ) আকৌ সেই "জয়" "জয় কুরুপতির জয়"! ই দিঠক নে সপোন? নহয়, ই কৃষ্ণৰ মাত; এই যাদুকৰৰ লগত পৰি গোটেই কুৰুক্ষেত্ৰৰ যুদ্ধই যাদুত পৰিণত হৈছে। বাৰে বাৰে যদি সামান্য জয়দ্রথৰ হাতত পৰাজয় হয় তেন্তে এই গদাৰ আৱশ্যক কি? (গদা পেলাই দিয়ে)

নেপথ্যত পাণ্ডৱৰ সৈন্য—পাণ্ডৱ সৈন্যক ৰক্ষা কৰা বৃকোদৰ! ৰক্ষা কৰা, ৰক্ষা কৰা।

ভীম—(উচাপ খাই উঠি) কি, কি ৰক্ষা! কোনে ৰক্ষা কৰিব?

নেপথ্যত—ৰক্ষা কৰা বৃকোদৰ!

ভীম—কি ৰক্ষা কৰিব বৃকোদৰে? ঠিক, ৰক্ষা কৰা মোৰ কৰ্ত্তব্য। ভয় নাই, এতিয়াও বৃকোদৰ জীয়াই আছে।

(উত্তাৰল হৈ গৈ। তুলি ৰণৰ ফালে প্ৰস্থান। তিতৰত যুদ্ধৰ শব্দ, অলপ পিছতে বিপৰীত ফালৰ পৰা সন্তৰ প্ৰবেশ)

সন্ত—(স্বগতঃ) ভীমৰ বাৰে বাৰে পৰাজয়। ধৰ্মৰাজ মূৰ্চ্ছিত, পাণ্ডৱৰ সকলো বীৰ আজি পৰাজিত, হফালে যোলবজৰীয়া লৰা অভিমন্যুৰ প্ৰতাপত কৌৱৰৰ সকলো বীৰেই পৰাজিত। এতিয়া নীচ কাপুৰুষৰ দৰে ক্ষুদ্ৰধৰ্ম্মত কলঙ্ক সানি, সপ্তৰথীয়ে একেলগে সেই লৰাটিক বধ কৰিবলৈ ধৰিছে, অভিমন্যুক সিহঁতে বধ কৰিব, কিন্তু লগে লগে কৌৱৰবো পতন, ইমান অন্যায় সহা কি সামান্য কথা! দুঃজ চাবলৈ আহিছিলি সন্ত! চাই ল, হাঃ হাঃ হাঃ, কলীয়া! তোমাৰ লীলা!

৩য় দৃশ্য—পাণ্ডৱৰ শিবিৰৰ চৌতাল

(যুদ্ধ শেষ হোৱাৰ লগে লগে অভিমন্যুক সপ্তৰথীয়ে অন্যায়কৈ বধ কৰিছে, ছটা সৈনিকৰ প্ৰবেশ।)

১ম সৈ—আজিৰ দিনটো যেনেকৈ গল তাৰেই চালে এই যুদ্ধ-বাগৰধন নাপাতি বনবাস কৰাই ভাল আছিল। এ ৰাম—কিমান শুনিবা, কিমান সহিবা, চাৰিফিনে কান্দোনৰ ধ্বনি, কাক কোনে সান্ত্বনা দিব!!

২য় সৈ—নাকান্দি পাৰে কেনেকৈ? সেই হেন মালভোগ কল যেন,—বিজাই-বুদ্ধিয়ে, বলে-কৌশলে দ্বিতীয়টো নাই, আমি সামান্য দৰ্শহা খোৱা সেনাৰে। আমাৰে বুকু হমহমাই গৈছে, বেছৰ ভিতৰৰ পৰা ওলাই,আহিব পৰা হলেই লৰাটো কথা পৰে।

১ম সৈ—ওলাই আহিব পৰা হলে তো কথাই নাছিল, ওলাই আহিব নোৱাৰে দেখিছে। পাণ্ডৱৰ বুকোদৰকে আদি কৰি এগোপা বীৰ সোমাই যাব পৰা হলে কৌৱৰৰ বীৰাবলাক মহতিয়াই ওলাই আহিব পাৰিলে হেঁতেন। ভীমে ইমান চেষ্টা কৰিলে, জয়দ্রথক এবাৰো হকৰাব নোৱাৰিলে। যুদ্ধিষ্ঠিৰ, নকুল, সহদেৱে আহিব কথাই নাই। যুদ্ধত যুধিষ্ঠিৰ পৰ্য্যন্ত মূৰ্চ্ছিত হল।

২য় সৈ—জানি-শুনিও ধৰ্ম্মৰাজে অভিমন্যুক পঠোৱাটো আচৰিত কথা।

১ম সৈ—ধৰ্ম্মৰাজৰ গাত কি দোষ, দৈবৰ লিখন কোনে খণ্ডাব! তেওঁ ভাবিছিল অভিমন্যুই বাট উলিয়াই দিলেই ভীমকে আদিকৰি: পাণ্ডৱ বীৰসকলে ৰেহ প্ৰবেশ কৰিব। এইদৰে পাণ্ডৱবীৰ সবহকৈ সোমালে বেহ ভাঙি ওলাই আহিব পাৰিব। দৈৱ দুৰ্বিপাকতা বৃকোদৰ হেনঃ বীৰকো জয়দ্রথে বাৰে বাৰে পৰাজয় কৰি বেহৰ মুখৰ পৰা ঘুৰাই পঠালে।

২য় সৈ—যেই হ'ক কৌৱৰৰ সকলো বীৰে এনেকৈ অন্যায় নকৰা হলে অভিমন্যুক বধ কৰিব নোৱাৰে।

১ম সৈ—নোৱাৰাটো ধ্ৰুপ। অভিমন্যুই প্ৰত্যেকজন বীৰকে গাই গুটিয়াকৈ বাৰে বাৰে পৰাজয় কৰিছে। সপ্তৰথীক একেলগে সাত বাৰ পৰাজয় কৰিছে, এনে নোহোৱা নোপোন্না বীৰৰ কথা কতো শুনা নাই। শেষৰ বাৰত অস্ত্ৰহীন বালকক সপ্তৰথীয়ে নৃসংশভাৱে হত্যা কৰিছে।

২য় সৈ—ইয়াক বীৰে বীৰক হত্যা কৰা ধুবুলি চাওতে পশুহত্যা কৰা বুলিলে বেছি ভাল হব।

১ম সৈ—অকণ অভিমন্যুক এইদৰে বধ কৰি কি কৰিব।

২য় সৈ—চুৰ্য্যোধনৰো বেছি দিন নাই। সোঁৱা শোকত বিহ্বল অর্জ্জুন কৃষ্ণই সান্ত্বনা দি লৈ যুঁবিছে, এই ফালেকৈ আহিছে। আমি যোৱাছে ভাল, পার্থ বিবর্ণ। [সৈনিকদ্বয়ৰ প্ৰস্থান

(কৃষ্ণার্জ্জুনৰ প্ৰবেশ)

অর্জ্জুন—মই নিজকে প্ৰবোধ দিব পৰা নাই, যদুপতি! আনক কেনেকৈ দিম, শিবিৰৰ কন্দাকটা জুই সদৃশ। আজি সংসাৰক মুঁচৰ পৰা আহোঁতে অমঙ্গল ইয়াতকৈ আৰু কি ফলিয়াব! সখি! মোক কিহলৈ আনিছা? অমৃতৰ লোভত পদে পদে বিষ। (ক্ৰন্দনত হাত দি তলমুৱ কৰে)

কৃষ্ণ—সখি! তুমি বীৰ। অভিমন্যুৰ কাৰণে শোক কৰিলে কি হব! এই কেইদিনৰ যুদ্ধতে কত ক্ষত্ৰিয় নিধন হৈছে। সেই বুলি কোনেও কৰ্ত্তব্যলৈ আওহেলা কৰা নাই। শোকত বিহ্বল হলে শক্তি ক্ষয় হয়। প্ৰতিশোধ লবলৈ শক্তিৰ আৱশ্যক।

অর্জ্জুন—মনে নামানি কিয় অর্জ্জুন! অভিমন্যুৰ পূৰ্ব্ব-বৃত্তান্ত তুমি নাজানা। ক্ষত্ৰিয় শাপত চন্দ্ৰই শ্ৰীহীবাত ক্ষয় গ্ৰহণ কৰি ষোল বছৰ আছিল, অভিমন্যুই সেই চন্দ্ৰ, কাল শেষ হলত উভতি গল।

(আগে আগে শোকবিহ্বল যুধিষ্ঠিৰ,
পাছে পাছে ভীমৰ প্ৰবেশ)

যুধিষ্ঠিৰ—অর্জ্জুন! মই নিজ হাতেৰে অভিমন্যুক যমৰ মুখলৈ ঠেলি দিলোঁ। হে যদুপতি! মোক কিয় এই জীয়া জুইত পেলাই দিলা! মোক শাপ দিয়া যদুপতি! মই ভস্ম হওঁ। ভীম! মোক আকৌ বনলৈ লৈ বলা।

অর্জ্জুন—দাদা! (তলমুৱ কৰি হাতেৰে চকু মোহাৰে)

কৃষ্ণ—দাদা! অভিমন্যুক আপুনি যমৰ মুখলৈ ঠেলিবৰ কি সাধ্য! দৈবৰ লিখন কোনে খণ্ডাব!

ভীম—দাদা! ক্ষত্ৰিয়ই বেজাৰ কৰা অনুচিত। অর্জ্জুন! আহা আমি ৰুদ্ৰমূৰ্ত্তি ধৰি কৌৱৰ বধ কৰি সকলো অন্যায়ৰ প্ৰতিশোধ লওঁ। চাওঁ ভীমার্জ্জুনৰ গতি কোনে বোধ কৰে!

কৃষ্ণ—দাদা! বুকোদৰেই ক্ষত্ৰিয়ৰ দৰে কথা কৈছে। অর্জ্জুন! সখি! তুমি শোক এৰা। ধৰ্ম্মৰাজ! আপুনি প্ৰকৃতিস্থ হওক।

যুধিষ্ঠিৰ—মোক বনলৈ লৈ যোৱা, মোক বনলৈ লৈ যোৱা। মোক যৈ আহি তোমালোকে যেনে ভাল দেখা তাকে কৰা। অর্জ্জুন! অভিমন্যু বংশ কাৰণ নহই, এই মুখ আৰু কাকো দেখুৱাব ইচ্ছা নাই।

অর্জ্জুন—(উত্তেজিত হৈ) আপুনি কাৰণ নহয় দাদা, কাৰণ দৈব। ভীমার্জ্জুন জীৱিত থাকোঁতে আপুনি বনবাসী হব নোৱাৰে। মই আপোনালোক সকলোৰে আগত প্ৰতিজ্ঞা কৰিছো—কালিলৈ সন্ধ্যাৰ আগতে জয়দ্রথক বধ কৰিম। সূৰ্য্যক যদি লবচব হয়, সূৰ্য্যদেৱ যদি পশ্চিমত উদয় হৈ পুবত মাৰ যায়, তথাপিও মোৰ প্ৰতিজ্ঞা লবচব নহয়। সন্ধ্যাৰ আগত জয়দ্রথক বধ কৰিব নোৱাৰিলে মোৰ নিজৰ শৰীৰ অগ্নিত অর্পণ কৰিম।

যুধি—শোকৰ উপৰি শোক পার্থ! ই ভীষণ প্ৰতিজ্ঞা।

কৃষ্ণ—সঁচাকৈয়ে ভীষণ প্ৰতিজ্ঞা সখি! এনে প্ৰতিজ্ঞা কৰা উচিত নহয়।

ভীম—ই শোকৰ বিষয় নহয় আনন্দৰ হে বিষয়। যদুপতি! পার্থৰ যদি প্ৰতিজ্ঞা অনুচিত, তুমি পার্থ সাৰথি হোৱা অনুচিত। ভয় নাই দাদা, কালিলৈ ভীমার্জ্জুনে কৌৱৰ ধ্বংস কৰিব। (পট পৰে)

—ক্ৰমশঃ

আত্ম-বিবৃতি

(খ)

—শ্ৰীচিত্ৰসেন যখৰীয়া

মই অলপতে কলিকতালৈ গৈছিলো। মিছা নে আজিকালি অলপ ঘনাই পচিমলৈ যাওঁ, বেছিভাগ কলিকতাৰ পৰাই উভতি আহোঁ; কিন্তু মানুহ বুজি নানা ঠাইলৈ যোৱাৰ কথা কওঁ। আমাৰ বলাই বাপু ওৰফে বলভদ্ৰ শৰ্ম্মা আহি যেতিয়া 'ডা-ডা-ডাঙ্গৰীয়া" বুলি মাত লগায়, মই তেওঁৰ ধপাত চিলিমৰ ব্যৱস্থা কৰাই দি জগন্নাথ মহাপ্ৰভুৰ বাস-ভবন পুৰীৰ কথা উলিয়াওঁ; তেওঁ ভাবে যে মই পচিমলৈ আহিলেই পুৰী, মই নো তেওঁৰ দৰে ভক্তিপ্ৰাণ প্ৰবঞ্চক জনৰ মনত কিয় আঘাত দিওঁ, তেওঁৰ আত্মাই যেতিয়া তুষ্টি পায় ময়ো প্ৰভুৰ মাহাত্ম্যকে কওঁ; তেওঁ বিশেষ ভাল পায় ভোগৰ অংশটো, ময়ো মোৰ চুকহাৰ গ'ন্ধ থকা তালু চেলেকি চেলেকি তাকেই ৰসাল কৰি কওঁ। কালাজাৰ বাগিচাৰ বৰ-মহৰী চেনাই গগৈয়ে আকৌ মোৰ লগত কথা পাতে দেশ-বিদেশৰ। তেওঁ জনাৰ ভিতৰত গিল্‌মেন্ চাহাবৰ তিনিখন বাগিচাৰ সীমা ভালকৈ জানে আৰু জানে ছালতামামি মিলাবৰ সময়ত জোৰা-ফোন্দা দিবলৈ, কিন্তু মুখত হলে মছুৰী ভাল নে দাৰ্জ্জিলিং ভাল, উটকমণ্ডত কম খৰছ নে সেই হিচাপে ৱালটেয়াৰ ভাল ইয়াৰে আলোচনা, এইবোৰ ঠাইৰ নাম জানিছিল তেওঁৰ চাহাবলৈ চিঠি দিওঁতে। ইপিনে তেওঁৰ লৰা এটা মৰিল কালাজ্বৰত, দুটা মৰিল "টিপিত" (আজিকালি যক্ষ্মাক 'টিপি' বোলে, নহয় নে?)। হওক, লোকৰ কথা কৈ লাভ নাই, গুৰিৰ কথালৈ ভটীয়াই যাওঁ। কলিকতাত থাকোঁতে এজন পাতলকৈ চেঙেলীয়া ধৰণৰ লৰা, নামটো মনত নপৰে, ৰংটো মনত আছে, বৰ্ণনাটো দিব পাৰো, যাওক, ভাল নহব, তেওঁৰ আকৌ মনত নালাগিলে সাউৎকৈ ধৰিব। আজিকালিৰ ল'ৰাবোৰক ভয় লগা হৈছে, ডাঙ্গৰ-সৰু একোকে নাচায়, তেওঁলোকৰ মনত নালাগিলেই ঘপহকৈ কাকতত তোলে। কাকতৰ গিৰিহঁতৰো বাছ-বিচাৰ নাই, কথা হলেই তুলিব লাগে নে? ৰজায়ো বোলে সুসুধি নাকাটে, তেওঁলোকে পালেই তোলে। ইপিনে বোৱাৰী বেটী সকলৰো কাম নাই, আগেয়ে নো অসমত তিৰুতা নাছিল নে, কাকতখন নো কোনটো ছেগত নি পঢ়ে, আৰু এইবোৰ কথাকে লৈ ফিচিঙা-ফিচিঙি কৰে। মোৰ ইচ্ছা হয় আমূল পৰিবৰ্ত্তন কৰিবলৈ, গান্ধীয়ে ভালকে কৈছে 'go back to old age" নে কি "old age" নহয় যেন পাওঁ, এই শব্দটোলৈ আমাৰ অলপ ভয় হয়, "old times" ধৰক। মোৰো ইচ্ছা ঠিক তেনে, অৰ্ডিনান্স-ফৰ্দ্দিনান্সেৰে কাম হোৱা নাই, গৱৰ্ণমেণ্টৰ পক্ষটো অৱশ্যে ৰাখি চলিছে, ৰখা নো বোলো কেনেকৈ, তাতো দেখোঁ কেবাটাও তালি পৰে, তথাপি কিঞ্চিৎ। কিন্তু আমাৰ পক্ষে ৰাজভক্ত প্ৰজাসকলৰ পক্ষে একো কৰা নাই। যি কাকত সেই কাকত, আমি "টু" কৰিলেই 'হুঁ" বুলি উঠে। হে ভগৱান! কেতিয়া মোৰ দেশখন এই ল'ৰা-লিখক আৰু চলৌপাটি সম্পাদকসকলৰ হাতৰ পৰা ৰক্ষা পৰিব! (মোৰ ভাবটো যদিও ঠিক হোৱা নাই, এনে বিস্ময়সূচক চিন দি দেশৰ কথা কলে বেছ বাহাবা পোৱা যায়, নহয় নে সম্পাদকদেও?)

পিছত কথা হ'ল কলিকতাত লগ পোৱা সেই বিটলিয়া লৰাটোৰ। তেওঁ আহিয়ে মোক ঘপহকৈ কলে, "আমি কলিকতাৰ পৰা চাৰিওপিনে খবৰ

যোগাবলৈ বিশেষকৈ অসমলৈ, এটা 'নিউজ চাপ্লাইং এজেন্সি' বা 'নিউজ বুৰো' খুলিব খুজিছো, তাত নিশ্চয় আপোনাৰ সহানুভূতি আছে?" কি কম, আছে বুলি কলেও ইহঁতক টকা-পইছা নিশ্চয় লাগিব, নাই বুলি কলেও সৰ্ব্বনাশ! অলপ-সলপ টকা-পইছা দি গা বচাব পাৰিলেও বৰং ভাল, যিহে দিনকাল পৰিছে, নহলে ইহঁতে পাব লাগিলে তো শুদাই নেৰে। কলিকতাৰ এট্‌মচফিয়াৰ তেনেই গুচিছে, কাৰো মুখলৈ চাবলৈ নাই, সুবিধা কিয়, অসুবিধা পালেও ঠাট্টাহে ঠাট্টা। শ্ৰীযুত ৰবীন্দ্ৰ নাথ ঠাকুৰ ডাঙ্গৰ কবি, অকল ডাঙ্গৰেই নহয়, মস্ত, বৃহৎ। তেওঁৰ নামে উলিৱা মুগাৰ কাপোৰে ছটা কিতাপখন কেনে ধুনীয়া! কিন্তু সেইজন মহাপুৰুষকে শুদাই এৰা নাই, "শনিবৰীয়া চিঠি" নে কি এখন কিতাপত থুকুচি এৰিছে, তেওঁ বুলিহে মনে মনে আছে, আমি হোৱা হলে কিবা এটা দুৰ্ঘটনা হ'ল হেঁতেন কিজানি। মই ভাবিছিলো, কলিকতাৰ সৰহভাগ কেৰাণী-মহৰী গোমস্তা-সৰকাৰ দাঁতি কাষৰীয়া গাৱঁৰ, 'সপ্তাহভৰ' তেওঁলোকে ৰাজধানীত কাম কৰে আৰু শনিবাৰে গধূলি লোকেল ট্ৰেইনত নিজ-নিজ পজাটো, বা পজা শুৱনি কৰি থকাজনীলৈ মনত কৰি অথবা "ঘাটে মাঠে" লগ পোৱাজনীকে আশা কৰি যায় আৰু এই ছদিনৰ সাচি থোৱা কল্পনা তাতে উবুৰি কৰি দি বেজবৰুৱা ডাঙ্গৰীয়াৰ "আমাৰ সংসাৰ"ৰ ডম্বৰুধৰৰ ভূমিকাত পদচাৰণা কৰে। আৰু সেই ভাবৰাশিয়ে ফেনিল পঙ্কিল ৰূপ ধৰি বিৰহৰ চেপা খোৱাসকলক মুহূৰ্ত্তলৈকো ঘোলৰ চৰবতৰ উগাৰৰ নিচিনা আপ্যায়িত কৰিবলৈ এই "শনিবৰীয়া চিঠি"ৰ সৃষ্টি হোৱা বুলি ভাবিছিলো; আৰু এটা ভাবিছিলো, কিজানি শনিবাৰে আগবেলাতে ডাকত পেলাই দি অহা চিঠিবোৰৰে নকল, তেতিয়া হলে ই নিশ্চয় মিলন-বাতৰিৰ আগদূত, এইটো বিশ্বাস ভিতৰে ভিতৰে আছিল; পহিলুতে ভাঙ্গি কবলৈ টান পাইছিলো কাকতখনৰ ওপৰখন যি সুন্দৰ টল্‌বলীয়া আৰু নিমজ, মোৰ মনত এই ভাবটোৱেহে বেছিকৈ ঠাই পাইছিল; সেই কাৰণে পহিলৰ দিনা সাউৎকৰে আধলি এটা ভেণ্ডাৰক পিছলাই দি "শনিবৰীয়া চিঠিৰ" এটা কপি হাতত ললোঁ, কোনোবাই দেখে বুলি মোৰ প্ৰাপ্য বা কী দু-অনা নোলোৱাকৈয়ে হনহনাই আগবাঢ়ি গৈ এখন টেক্সিত বহি ড্ৰাইভাৰক কলো—"চালাও কেলকাটা হোটেল।" কলিকতা হোটেল আচলতে মই কিতাপ কিনা ঠাইৰ পৰা তিনমিনিটৰ বাট, কিন্তু বাটত কোনোবাই দেখা দেখা যেন পাওঁ; সেইদেখিহে বোলো লৰালৰিকৈ যাওঁ। সি সুধিলে—"কৈ জেনানা হায় আপকো সাথ?" মই ভাবিলো—"সৰ্ব্বনাশ! লগত তিৰুতা নাথাকিলে ইখন কিতাপ কিনিব নাপায় যেন পাওঁ।" টেক্সি এৰি লৰা-ধপৰাকৈ ঘৰমুৱা হলো। ফোঁপাই-জোপাই দুমহলাত উঠি কোনোৰকমে দুৱাৰৰ তলাটোকে মেলিব নোৱাৰা যেন পালোঁ। পিছত জুৰাই-শতাই, কিতাপখন মেলি লওঁ যে এই সোপা। তিৰুতাৰ ভাষাত "আই, ছিকো" বুলি কবৰ মন গ'ল।

আকৌ সেই লৰাটোৰ কথা। মই ভালকৈয়ে সুধিলো, "বোলো বোপা! তোমালোকে নো কি উলিয়াবা? আজিকালি দেখো কাকতে-পত্ৰে আমাৰ জুৰুলা দেশখনো ছানি গৈছে। ইংৰাজী নজনাসকলে দিনৰ খবৰ দিনৌ নাপালেও একো নাভাবে, সাপ্তাহিক খবৰ দেখোঁ আমাৰ দেশতে পোৱা যায়? নে কিবা নতুন ক্ৰীড লৈ নতুন কিবা ব্যৱস্থা কৰিব খুজিছা?" তেওঁ মোক অলপ গৰমভাৱেই কলে—"আজিকালি আকৌ স্বৰাজত বাহিৰে কি ক্ৰীড আছে?" তেওঁৰ কথাৰ ধৰণ দেখিয়ে বুজিলো যুৱক-পাৰ্টি। মই হাঁহি উঠিলো, "তোমালোক তৰুণ হব পায়!" লৰাই বুজিলে যে মই কলিকতীয়া পাৰ্টি বুজো। অলপ সুৰ কোমলাই কলে—"তৰুণবোৰৰ ওপৰত শাসকদল খড়্গহস্ত। আমাৰ কোনো দল নাই, আৱশ্যক বুজিহে এই 'বুৰো'ৰ সূচনা কৰিব খুজিছো।" মই গহীনাই কলো "বোপা! এটা কৰিলে নহয় নে?" তেওঁ আগ্ৰহ কৰি সুধিলে,

"কি কওক ?" মই কলো—"তুমি বৰ ধনী মানুহৰ লৰা নোহোৱা যেন পাওঁ। বেয়া নাপাবা আকৌ, বহুতে আজিকালি ভেহছন কৰি ফুৰে—'Exterior is very often deception'। মোৰ এনেকৈ ইংৰাজী ফুটা দেখি নিজেই হাঁহিলো। লৰাজনে অতি সৰলভাৱে কলে—"আপুনি ঠিকেই ধৰিছে, মোৰ ঘৰৰ ফালে টকা-পইছা নিচেই কম।" অনুমান কৰিলো, লৰাজনে মোৰ কথালৈ বেছ মনোযোগ দিছে। "এটা কথা হে বোপা! এই সময়ত গৱৰ্ণমেণ্টৰ টকা উলিয়াব পাৰি।" লৰাজনে কলে "কেনেকৈ ? আজিকালি গৱৰ্ণমেণ্টৰ অভাৱ আপোনাত বা মোতকৈ বেছি। সিদিনাখন ফিনেন্স মেম্বাৰৰ বাজেট বক্তৃতাটো শুনা হলে!" মই বিজ্ঞ মানুহৰ দৰে কলো, "বৈ দিয়া বক্তৃতা। ধৰিব জানিলে পিৰালিতে বৌ-বৰালি। মিনিষ্টাৰসকলৰ খোছদিলৰ ওপৰতে টকা—এটা পুঁজি আছে "ডিচ কেচনাৰী" নে কি বোলে, তাৰে পৰা টকা সৌ-সৌকৈ ঢালি দিয়া যায়; সেই কাৰণেই চাবা মিনিষ্টাৰসকলৰ ৰাজত্বৰ শেষ পৰিবৰ সময়ত হিন্দু হলে টোলত, মুছলমান হলে মাদ্ৰাছাত দিবলৈ সোপাই সোপাই টকা ওলায়, মাদ্ৰাছা নাপালে মছজিদতে দিব তেও পাঠশালাত নিদিয়ে। আগেয়ে হলে খুজি মৰিলেও নোপোৱা। মন্ত্ৰীসকলক নো কোৱা কিয়, গৱৰ্ণমেণ্টেও সেই একেই কৰে। এজন মেম্বৰ, নাম নকওঁ দিয়াচোন, কাকত উলিয়ায়, হলক-ফচক, কেউপিনে হট্টগোল। তুমি তেওঁৰ তালৈ গলে আৰু আন কথা একো নোপোৱা, দেশখন কেনেকৈ তেওঁ উলিয়াব খোজাৰ নিচিনা কাকতখনৰ অভাৱত কাউবাউকৈ আছে তাকেহে শুনিবা। তেখেতে কেবাখনো প্ৰাদেশিক গৱৰ্ণমেণ্টৰ ৰিপোৰ্ট ৰাখি অসমৰ ৰাজস্ব কিদৰে বঢ়াব পাৰি, অথচ ৰাইজৰ গাতো হাত নপৰে, বাধ্যতামূলক প্ৰাথমিক শিক্ষা কিয় তিনদিনৰ ভিতৰত প্ৰবৰ্ত্তন কৰিব নোৱাৰি, ভাৰতত কাম কৰা উচ্চপদস্থ ৰাজকৰ্ম্মচাৰী সকলক কিহৰ এটা 'অ'ভাৰ-ছি এলাৱেন্স' দিব লাগে এই বোৰ সমস্যা সমালোচনা কৰি বায়ুমণ্ডল গুৰগুৰিৰ টোটোৰণি আৰু ধোঁৱাৰে আচ্ছাদিত আৰু নিনাদিত কৰি তোলে।" মোৰ ভাব আৰু ভাষাৰ এনে কোব দেখি লৰাদৰ্শকে অলপ তভক মাৰিলে। ময়ো অলপ নিতাল মাৰিলোঁ। তেওঁ সুধিলে—"পিছত কি হল?" "কি হব আৰু, গৱৰ্ণমেণ্টে ভাবিলে এনে বিপদ বাহিৰত ৰাখিব নালাগে। গান্ধীৰ দৰে নিস্বাৰ্থ হোৱা হলে নহয় জেলত থলে হয়, কিন্তু এওঁক যেতিয়া লালীৰে বন্ধ খুৱাব পাৰি আৰু কি লাগে, মুখত গুৰ পেলাই দিলে এতিয়াও কাষেৰে গলে তেওঁৰ টকালি শুনিবা।" তেওঁ হাঁহি সুধিলে, "ভালকৈ বুজিব নোৱাৰিলো, ভাঙ্গি কোৱাত কিবা আপত্তি আছে জানো?" মই কলো "সোণাই! বুঢ়া বয়সত ফাটেকৰ ভাত খুৱাব খুজিছা নে?" তেওঁ কলে, "বাৰু বুজিলো। এতিয়া আমাক কি কয়?" "তোমালোকক কি কম, ধামা ধৰা।" তেওঁ অলপ মুখটো কোঁচালে। মই কলো, "বুজিছোঁ, শব্দটো ভাল পোৱা নাই। কিন্তু আচলতে জগতত উন্নতি কৰিব খুজিলে সেয়ে পন্থা। স্বাধীনতাৰ ক্ৰীড্ ভাল, আগবঢ়া টান। ধামা ধৰিলে বাট সহজ আৰু নিৰুপদ্ৰৱ। স্বাধীনতাৰ বাবে আগ বাঢ়িলে মাৰিলে হাতীয়ে মাৰিলা বা গঁড়কে ধৰিলা, নহলে নিজকে হৰুৱালা, কিন্তু ধামা আৰু সৰু টিলিঙ্গাটো লৈ আগ বাঢ়িলে ছানাছুৰৱালাৰ নিচিনাকৈ মাখিটো মকৰাটো পাই থাকিবা, বিপদো একো নাই।" লৰাজনে কলে—"আপুনি বৰ ভেগ, মাফ কৰিব, অলপ স্বাধীনতা লৈ কথা কৈছো।" মই কলো, "ৰবা তুমি অলপ চাহ খাই যোৱা। মোৰ টমাচ-কুকলৈ যাবলগীয়া আছে।" তেওঁ সুধিলে, "টমাচ-কুক শ্বিপিং কম্পেনী?" মই কলো "এৰা।" তেওঁক লগতে লৈ গৈ গঙ্গাৰ পাৰেদি এপাক লৈ ইডেন গাৰ্ডেনত এৰি দিলো। মনতে ভাবিলো আজিলৈ একো নিদিয়াকৈ ৰক্ষা পৰিলো। উতনুৱা লৰাবোৰলৈ মোৰ এই বয়সত বৰ ভয়। *

* আত্ম-বিবৃতিৰ (ক) প্ৰবন্ধৰ ২য় স্তম্ভৰ ২য় শাৰীৰ 'ভাইচ' শব্দটো 'ভাইগ' হব।

ভাৰতবৰ্ষ

কবিতা— —শ্ৰীযুত ৰত্নকান্ত বৰকাকতী

ব্ৰাহ্মণ মহিমা সেই দীপ্ত কৰি হোম-অগ্নি
জ্বলিব ধৰিলে আহা
যেতিয়া যজ্ঞত,

কোন সি দেৱতা আহি দ্যুলোকে ভূলোকে ভাহি
লগালেহি কৌতূহল
ঋষিৰ মনত ?

'কোন সি দেৱতা ?' এই উঠিল গভীৰ প্ৰশ্ন
'দীপ্তিত কাৰ দীপ্ত হই
উদিছে ৰবি ?'

'কোন সি মূলত, কম্প্ৰ সজীৱ জঙ্গম আদিৰ,'
'পুজিম ? কোন সি দেৱতা ?
প্ৰদানি হবি ?'

কোন সি বৃক্ষ মহান বিপুল, মৃত্যু ও অমৃত
পৰিছে যাৰ দুপিনে
দুইটি ছায়া ?

কোন সি দেৱতা ? কাৰ চৰণত শৰণ লই
স্তুতি কৰে লুটি খাই
ক্ৰন্দসীৰ কায়া !

দিগ্বিদিক টল্‌বল্ কৰি, মহা কৌতূহল
অনিবাৰ পিপাসাৰ
সিন্ধু মন্থনত,

তুলিলে হঠাৎ যেন অমৃত অমৃত জ্ঞান,
অমৃতৰ মহাগান
ঢালি ভুবনত।

"জলা নাই চন্দ্র সূর্য্য জলা নাই গ্রহতৰা
জলা নাই অগ্নি ক'তো
বিজুলী পোহৰ,

জ্বলিছে অনন্ত জ্যোতি তাৰ পোহৰতে মাথো
জ্বলিছে সকলো এই
বিশ্ব চৰাচৰ।"

অনন্ত বিৰাট প্ৰাণ সমুদ্ৰৰ হেন্দোলনি
জোৱাৰ ভাটাৰ দৰে
জনম মৰণ,

বিজুলীত জ্বলি উঠি বৃষ্টিত বাগৰি পৰে
অনন্ত আনন্দ এক,
অনন্ত ক্ৰন্দন।

অন্ত তাৰ হোৱা নাই অন্ত তাৰ পোৱা নাই,
ধৰি যুগ যুগান্তৰ
মানুহৰ জ্ঞানে,

অন্ত তাৰ পাইছিল নাপায়ো সিদিনা, ধৰি
—অন্তৰতে, নৈয়ে পায়
সাগৰক যেনে।

অনন্ত অমৃত তৃষ্ণা, ৰমণীৰো পমি যোৱা
অন্তঃস্থল ভেদি যেন
মৈত্ৰেয়ী কণ্ঠত,

প্ৰাৰ্থনাৰ ৰূপ লই বই গল নই হই
অনন্ত সিন্ধুৰ পিনে
যুগ যুগান্তত।

"অমৃতা নহম যাৰে, কি কৰিম বাক তাৰে?
কি কৰিম অমৃতীন
বস্তুৰ পুঞ্জেৰে?"

যুগ যুগ ধৰি আজি "অমৃত নহয়" যদি
একে কথা—"কি কৰিব?"
হৃদয়ে গুঞ্জৰে।

সেই এটি গত দিন হিন্দু-জীৱনৰ সেই
আত্মজ্ঞান-হিমাদ্ৰিৰ
শেষাদ্ৰি ধৰল,

কাব্য ভাগীৰথী যাৰ বই'ছিল ধৰালই
ভাৰতৰ হৃদয়েৰি
ভক্তিৰে বিহ্বল।

সেই এটি গত দিন হিন্দু-জীৱনৰ সেই
জ্ঞান আৰু ভকতিৰ
অপূৰ্ব্ব সঙ্গম,

সত্য শিৱ সুন্দৰৰ একেলগে সমাবেশ
সমাবেশ একেলগে
স্বাৰৰ জঙ্গম।

বনস্থৰ অগ্ৰসূত কোকিলৰ দৰে আজি
বিশ্বকণ্ঠ ভৰি তেনে
বাজক বেদনা,

"অসতোমা সদ্গময় তমসোমা জ্যোতির্গময়
মৃত্যু মাঁ মৃতংগময়"
মৈত্ৰেয়ী প্ৰাৰ্থনা।



মহিলা জগত



প্ৰিভি কাইন্সিলত ভাৰতীয় মহিলা মিচ বেইৰামজী, বাৰ-এট-ল



দক্ষিণ ভাৰতৰ এগৰাকী প্ৰসিদ্ধ মহিলা



গ্লাচগোত গঠিত হোৱা তিকতাৰ বাইফেল ক্লাবৰ সভ্য মিচ মাৰজোৰী ফষ্টাৰে বিচলী প্ৰতিযোগিতাত বাজাৰ পৰা ১ম পুৰস্কাৰ পাইছে।



ভাৰ্জিনীয়া কলেজৰ ছাত্ৰী এগৰাকীয়ে ধনুবিদ্যা শিক্ষিব লাগিছে। ইয়াত যোৱা ৩।৪ বছৰৰ পৰা এই বিষয়ে বিশেষ চৰ্চ্চা হব লাগিছে।



সম্পাদকীয়

জাতীয় চৈতন্য

আজিকালিৰ দিনতো এখন প্ৰদেশৰ বা এটা সুকীয়া জাতিৰ কোনো বকম শিল্প-প্ৰতিষ্ঠান নথকা বৰ নিবাশ-জনক কথা, সন্দেহ নাই। বৰ সুখৰ বিষয়, অসমীয়াৰ মাজত আজিকালি দুই এজনে এই বিষয়ে হাত দিবলৈ আগ বঢ়া দেখা যায়। অসমীয়া কাকত 'অসমীয়া' আৰু 'বাতৰি'ত আজিকালি প্ৰায়েই এনে শিল্প বিষয়ৰ আলোচনা ওলায়। আশা কৰো এইবিলাকৰ পৰা আমাৰ দেশত অসমীয়া শিল্প আৰু তেনে প্ৰতিষ্ঠানলৈ মানুহৰ আগ্ৰহ বাঢ়ি আহিছে। 'অসমীয়া'ত শ্ৰীযুত অম্বিকাগিৰি বায় চৌধুৰী ডাঙৰীয়াই লিখা 'আসাম কৈমিকেল ফুড' আৰু 'বাতৰি'ত শ্ৰীযুত যাদৱ দেৰ শৰ্ম্মাই লিখা "চাবোন শিল্প" আদি প্ৰবন্ধই আমাৰ উৎসাহী বহুত ডেকাৰ কামত লাগিবলৈ আগ বঢ়াৰ বুলি বিশ্বাস। অকল এয়ে নহয়, এনে বহুত বিষয় আছে য'ত আমাৰ ডেকা সকলে হাত দি নিজৰ আৰু দেশৰ গৌৰবান্বিত কৰিব পাৰে। আমি তেওঁলোকলৈ সাদৰ আহ্বান জনাইছোঁ।

অসমৰ বেহা-বেপাৰ

আন ঠাইত অলপতে কলিকতাত গঠিত হোৱা 'অসম-বাণিজ্য-বাতৰি-সমিতি'ৰ উদ্দেশ্যাৱলী প্ৰকাশ কৰা হৈছে। বেহা-বেপাৰতো যে অসমীয়া মানুহৰ নিমিত্তে বহুত সুবিধা পৰি আছে তাক এই সমিতিৰ উদ্দেশ্যাৱলীলৈ মন কৰিলেই ভালকৈ অনুমান কৰিব পাৰি। আমি দেখাত যিসকলৰ সুবিধা আছে আৰু লগেলগে ইচ্ছা আৰু উৎসাহ আছে, সেই সকলে এনেবিলাক কাৰবাৰলৈ আগ বাঢ়িলে লাভৱান নহবৰ কোনো কাৰণ নাই।

ভাৰতৰ অৰ্ডিনেন্সৰ শাসন আৰু বৃটিছ জাতি

ভাৰতৰ অৰ্ডিনেন্সৰ শাসন লৈ অকল ভাৰততে ঘোৰ অশান্তিৰ সৃষ্টি হোৱা নাই, ভাৰতৰ বাহিৰেও স্বাধীন জাতিসমূহৰ মাজত এই শাসনৰ বিপক্ষে তীব্ৰ সমালোচনা দেখিবলৈ পোৱা যায়। অৰ্ডিনেন্সৰ দ্বাৰা কংগ্ৰেচক দমন কৰিবলৈ চেষ্টা কৰা বৃথা বুলি ভাৰতৰ প্ৰতি প্ৰদেশৰ জাতীয়তাবাদী কাকতবিলাকে কৈ আহিছে। অলপতে আমেৰিকাৰ কেবাখন কাকতেও ভাৰতৰ বৰ্ত্তমান ৰাজনৈতিক অৱস্থা বৰ জটিল হৈ পৰিছে আৰু ইয়াৰ অৰ্ডিনেন্সৰ শাসন ব্যৰ্থ হৈছে—এনে মত প্ৰকাশ কৰিছে। ভাৰত সচিব স্যাৰ স্যেমুৱেল হোৰে এই কাকতবিলাকৰ এনে অভিমতত সন্তুষ্ট হব পৰা নাই। আৰু তেওঁ এই বিলাকৰ প্ৰতিবাদ স্বৰূপে জনাইছে যে ভাৰতৰ অৱস্থাৰ দিনে দিনে উন্নতি হব লাগিছে। এতেকে আমেৰিকাৰ এইবিলাক কাকতৰ ভাৰতৰ বিষয়ৰ কথা ঠিক নহয়। আমেৰিকাৰ 'নেশ্যন' নামৰ প্ৰসিদ্ধ বাতৰি কাকতখনে ভাৰত সচিবৰ কথাৰ এনেদৰে প্ৰতিবাদ কৰি লিখিছে।—ভাৰতৰ অৱস্থাৰ যদি উন্নতিয়ে হৈছে তেনেহলে এতিয়াও কিয় বেপৰোৱাভাৱে অৰ্ডিনেন্সৰ ৰাজত্ব চলিব লাগিছে? ইফালে ভাৰতৰ বৰলাট আৰু স্যাৰ স্যেমুৱেল হোৰে নিজে বহুতবাৰ কৈছিল যে ভাৰতৰ ৰাজনৈতিক অৱস্থাৰ উন্নতি হলেই অৰ্ডিনেন্সবিলাক তুলি লোৱা হব। ভাৰত সচিবৰ সেই কথাৰ লগত এতিয়াৰ 'নেশ্যন্' কাকতৰ প্ৰতিবাদ স্বৰূপে কোৱা কথাৰ যদি কিবা সামঞ্জস্য থাকে আৰু যদি সঁচাকৈয়ে অৰ্ডিনেন্সৰ শাসনত ভাৰতৰ ৰাজনৈতিক অৱস্থাৰ উন্নতি হৈছে, তেনেহলে নিজ প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ গভৰ্ণমেণ্টে সোনকালে এই অৰ্ডিনেন্স বিলাক তুলি দিয়া উচিত। যদি এই প্ৰতিবাদৰ কথাৰ লগত ভাৰতৰ প্ৰকৃত অৱস্থাৰ মিল নাথাকি কেৱল বৃটিছৰ স্বাৰ্থ আৰু উদ্দেশ্য গোপন কৰি ৰাখিবৰ চেষ্টা থাকে, আৰু আচলতে সেই অৱস্থাৰ একো পৰিবৰ্ত্তন হোৱা নাই বৰং ওলোটাহে হৈছে (নিতৌ গ্ৰেপ্তাৰ, জেল, জৰিমনা আদিৰ বৃদ্ধিয়ে সমস্যা জটিলতৰ হোৱাৰ আৰু মানুহৰ উত্তেজনা ক্ৰমাৎ বাঢ়ি যোৱাৰ হে প্ৰমাণ দিয়ে) তেনে হলেও এই অৰ্ডিনেন্সৰ অনাৱশ্যকতা আৰু অপকাৰিতাৰ প্ৰমাণ পোৱা গৈছে। সি অকল ভাৰতবাসীৰ ফালৰ নহয়, গভৰ্ণমেণ্টৰ পৰাও যেন লাগে। বৃটিছৰ স্বাৰ্থ ৰক্ষাৰ বাবেই ভাৰতক সোনকালে শান্ত কৰিবৰ আৱশ্যক। অৰ্ডিনেন্সৰ দ্বাৰা ভাৰতত অশান্তি আৰু উত্তেজনাৰ মাত্ৰা এনেদৰে বাঢ়ি যাবলৈ দিয়াত শাসক পক্ষৰো অমঙ্গলৰ আশঙ্কা কম নহয়। আকৌ ভাৰতৰ সমস্যালৈ পৃথিবীৰ স্বাধীন আৰু প্ৰধান প্ৰধান জাতিবিলাকৰ চকু থকাটো বৃটিছৰ পক্ষে বৰ নিৰাপদৰ কথা হোৱা নাই। গভৰ্ণমেণ্টে ভাৰতৰ জাতীয় বাতৰি কাকতবিলাকৰ চোকা সমালোচনালৈ কাণ কৰিবৰ আৱশ্যক নাভাবিলেও এইবিলাক দেশৰ বাতৰি কাকতৰ নিন্দালৈ লক্ষ্য ৰাখিবৰ আৱশ্যক কম যেন নাভাবে বুলি বিশ্বাস। জগতৰ জাতিপুঞ্জৰ মাজত সুসভ্য বৃটিছ জাতিৰ সুখ্যাতিৰ গৌৰৱ ভাৰতৰ ওপৰত এনে ধৰণৰ অৰ্ডিনেন্স জাৰিৰ শাসনৰ পৰাই তলাবলৈ ওলাইছে—স্যাৰ স্যেমুৱেল হোৰে তাক ৰক্ষা কৰিবলৈ যিমানে চাতুৰি নেখলো'ক।

—

বিদেশীৰ চকুত মহাত্মা গান্ধী

স্যাৰ ক্ৰাথিন ইয়ং হাজবেণ্ড নামে এগৰাকী মনীষীয়ে "ভাৰতত নতুন যুগ" নাম দি এখন কিতাপ লিখিছে। এই কিতাপত তেওঁ মহাত্মাজীৰ চাৰিটি মহৎ দানৰ কথা উল্লেখ কৰিছে।—পোন-প্ৰথমতে মহাত্মাজীয়ে ভাৰতবাসীৰ মনত নতুন সাহ সুমুৱাই দিছে। এই সাহৰ গুণতে ভাৰতবাসীয়ে আজি নিজৰ শক্তি বুজিবলৈ সমৰ্থ হৈছে। আকৌ ভাৰতবাসীৰ মনত একজাতীয়ত্ববোধ আগেয়ে তিমান আছিল বুলি কব নোৱাৰি। কিন্তু মহাত্মা গান্ধীয়ে এই ভাব দেশবাসীৰ মাজত প্ৰৱল কৰি জগাই তুলিছে—এই হৈছে তেওঁৰ দ্বিতীয় দান। তৃতীয়তে, মহাত্মাজীয়ে, জাতীয় জীৱনত ধৰ্ম্মৰ প্ৰয়োজনীয়তা বুজাব পাৰিছে আৰু বৰ্ত্তমান যুগৰ ভোগবিলাসৰ পৰিবৰ্ত্তে সকলোকে আধ্যাত্মিকতাৰ উপযোগিতা উপলব্ধি কৰাইছে। চতুৰ্থতে, তেওঁ গোটেই জগতৰ দৃষ্টি ভাৰতলৈ আকৃষ্ট কৰাইছে।

সেই নিমিত্তেই আজি পৃথিবীৰ সকলো জাতিয়ে ভাৰতৰ অৱস্থাৰ প্ৰতি বিশেষকৈ লক্ষ্য ৰখা দেখা গৈছে।

—

ভাৰতৰ লগত বৃটিছৰ সম্বন্ধই প্ৰাচ্য আৰু পাশ্চাত্যৰ মিলনৰ সোণালি সুযোগ

আমেৰিকাৰ সুপ্ৰসিদ্ধ 'ৱাৰ্লড-টুমৰো' কাকতৰ সম্পাদকীয় স্তম্ভত ভাৰতৰ বৰ্ত্তমান অৱস্থা, আৰু বৃটিছ শাসনৰ সম্বন্ধে বহুল আলোচনা ওলাইছে। সেই আলোচনালৈ চালে বুজিব পাৰি, অকল বৃটিছৰ অন্যায় স্বাৰ্থ বহল ৰাখিবলৈ নাইবা নায্য স্বাৰ্থ বিসৰ্জ্জন দিবলৈ যেনেকৈ কোৱা হোৱা নাই তেনেকৈ ভাৰতৰ ফালটোকো বিশেষভাৱে উপলব্ধি কৰিবলৈ চেষ্টা কৰা হৈছে। এই কাকতৰ মতে বৃটিছ শাসনে ভাৰতৰ অশেষ কল্যাণ সাধিছে। আৰু সেইবিলাক সকলোখিনিকে বিবেচনা কৰি চালে বোধ হয় ভাৰতত বৃটিছ জাতিয়ে যি কৰিছে ঔপনিবেশিক শাসনৰ বুৰঞ্জীত তাৰ তুলনা নাই। আৰু বৃটিছ জাতিয়ে যেনে সুদক্ষভাৱে ভাৰত শাসন কৰিছে ভাৰতবাসীয়ে প্ৰথমতে তেনেকৈ নিজক শাসন কৰিবলৈ সক্ষম নহবও পাৰে। 'ৱাৰ্লড-টুমৰোৰ' মতে ভাৰতে গ্ৰেট ব্ৰিটেইনৰ লগত সম্বন্ধ নিছিঙি বৃটিছ সাম্ৰাজ্যৰ ভিতৰত স্বায়ত্তশানৰ ভাৰ লৈ থকাই ভাল। প্ৰাচ্য আৰু পাশ্চাত্যৰ ভিতৰত মিলনৰ বৰ আৱশ্যক। বৃটিছ সাম্ৰাজ্যৰ ভিতৰত ভাৰত যদি স্বাধীন আৰু সন্তুষ্ট হৈ থাকে তেনেহলে তাৰ দ্বাৰা প্ৰাচ্য আৰু পাশ্চাত্যৰ বিশেষ যোগ ৰব। সম্পাদকীয় স্তম্ভত আৰু কোৱা হৈছে—বৃটিছ জাতিয়ে ভাৰতক স্বায়ত্ত-শাসন দান কৰি ইয়াকো আন আন উপনিবেশ বিলাকৰ সমান আসন আৰু সন্মান আগ বঢ়োৱা উচিত।—হিংস বা অহিংস কোনো উপায়ে ভাৰতবাসীক বৃটিছৰ লগত সম্বন্ধ ছিঙিবলৈ বাধ্য কৰোৱাতকৈ এই উপায় অৱলম্বন কৰা কম বিপদ্জনক।

ভাৰতবাসীৰ স্বাধীনতাৰ আকাঙ্ক্ষা

ভাৰতৰ স্বাধীনতা-স্পৃহালৈ সহানুভূতি দেখুৱা সূত্ৰত "ৱালড্-টুমৰো" কাকতে লিখিছে—যদি কোনোবাই এনে প্ৰশ্ন তোলে যে এমুঠি ভাৰতবাসীৰ মাজতে স্বাধীনতাৰ দাবী সীমাবদ্ধ তেনেহলে তাৰ উত্তৰ স্বৰূপে ইয়াকে কব পাৰি যে যিমানবিলাক ডাঙৰ ডাঙৰ বিপ্লৱ নাইবা সংস্কাৰ এই পৃথিবীত হৈছে তাৰ আটাইবিলাকে সংখ্যালঘিষ্ঠৰ দ্বাৰা অনুষ্ঠিত আৰু সাধিত। ভাৰতৰো শিক্ষিত নেতা-সকলে সকলোৱে একেদৰে বৃটিছ শাসনৰ প্ৰতিবাদ কৰিব লাগিছে আৰু বৃটিছৰ লগত সম্বন্ধ গুচোৱাৰ দাবী বৰ সোনকালে প্ৰৱল হৈ উঠিছে। এতিয়া আৰু সেই দিন নাই যিদিনা বৃটিছ জাতিৰ পক্ষে নিৰাপদভাৱে আৰু যোগ্যতাৰে সৈতে ভাৰত শাসন কৰা সম্ভৱ আছিল।

—•—

ভাৰতবাসীৰ ধৈৰ্য্যৰ মাত্ৰা

"ৱাৰ্লড-টুমৰো" কাকতে ভাবিবলৈ বাধ্য হৈছে যে, ভাৰতবাসীয়ে যদি বেছিকৈ হেচা দিব নোৱাৰে তেনেহলে গ্ৰেট বৃটেইনে কেতিয়াও ভাৰত শাসনৰ ভাৰ নেৰে। বৃটিছ ৰাজনীতিক সকলে বহুত দিনৰ পৰা ভাৰতবৰ্ষক ঔপনিবেশিক স্বায়ত্ত শাসন দিয়াৰ কথা কৈ আহিছে। কিন্তু ইয়াক সোনকালে কাৰ্য্যত পৰিণত কৰিবৰ প্ৰকৃত অভিপ্ৰায় দেখুৱাইছে বুলি বুজা নাযায়। লাহে লাহে ইয়ালৈ ভাৰতবাসীক টানি তোলা হব—এয়ে তেওঁলোকে দেখুৱা প্ৰলোভন। কিন্তু আন আন উপনিবেশৰ সমান সন্মান লাভ কৰিবলৈ ভাৰতবৰ্ষই আৰু বহুত বছৰ অপেক্ষা কৰি থাকিব এনে কথা ভবা ভুল।

—•—

ভাৰতৰ অহিংস আন্দোলনৰ পৰিণতি সম্বন্ধে "ৱাৰ্লড্-টুমৰো"ৰ অভিমত

মহাত্মা গান্ধীৰ অহিংস আন্দোলন ভাৰতবাসীৰ পক্ষে বৰ উপযুক্ত নৈতিক অস্ত্ৰ। কেৱল ইয়াৰ দ্বাৰাই কাৰ্য্যকৰী-ভাৱে ৰাজনৈতিক হেচা দিয়া ভাৰতৰ পক্ষে সম্ভৱ।

ভাৰতৰ বিপুল জনসাধাৰণে এই উপায় অনুসৰণ কৰিলে ইয়াৰ বিৰুদ্ধাচৰণ কৰা সম্ভৱ নহব—এয়ে "ৰাৰ্লড্-টুমৰো" কাকতৰ বিশ্বাস। আকৌ বিদ্রোহমূলক যুদ্ধত ত্যাগ স্বীকাৰ কৰাতকৈ অহিংস যুদ্ধত যে ত্যাগ আৰু সাহ দেখুৱা হয় তাৰ ফল বেছি গঠনমূলক আৰু অধিক স্থায়ী। বৃটিছ সাম্রাজ্যৰ সশস্ত্র শক্তি বিৰুদ্ধে যদি মহাত্মা গান্ধীৰ এই আন্দোলনে জয় লাভ কৰিব পাৰে আৰু যদি হিংসামূলক উপায় নোলোৱাকৈ এই আন্দোলনেৰে দেশৰ স্বাধীনতা লাভ কৰিবলৈ সক্ষম হয় তেনেহলে ইয়াৰ সফলতাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব। সশস্ত্র যুদ্ধৰ পৰিবর্ত্তে এনে অহিংসা সমৰ আৱশ্যক বুলি আজি পাশ্চাত্য সভ্যতাৰ পক্ষেও একান্ত আৱশ্যকীয় হৈ উঠিছে।

সি যি নহ'ক ভাৰতৰ অহিংস আন্দোলনক যদি বৃটিছৰ অস্ত্রশস্ত্রৰ বলেৰে নির্মূল কৰিবলৈ চেষ্টা কৰা হয় তেনেহলে সম্ভৱতঃ ভাৰতে বিশ্বেষমূলক বাটকৈ বিচাৰি লব আৰু তেতিয়া বৃটিছৰ লগত সম্বন্ধ ছেদ কৰিবলৈ অকণো কুণ্ঠিত নহব। ভাৰতৰ জাতীয়তা-বোধ বৰ চোকা হৈ উঠিছে। ই যদি অহিংস বাটেদি আত্মপ্রকাশ কৰিবলৈ সুবিধা নাপায় তেনেহলে আনফালেদি ওলোৱা অৱশ্যম্ভাবী। অৱশ্য ভবিষ্যততে দুৰ্য্যোগৰ সম্ভাৱনা উপস্থিত হৈছে। এনে সময়ত যিমান সোনকালে পৰা যায় তিমান সোনকালে তাৰ কাৰণ আঁতৰোৱা উচিত। ভাৰতৰ জাতীয়তাবাদী সকলক হিংসামূলক বিদ্রোহলৈ উত্তেজিত কৰিলে ভবিষ্যত শান্তি আৰু সমৃদ্ধিৰ বাট বন্ধ হব।

অটোৱা ইম্পিৰিয়েল অর্থনৈতিক সম্মিলন

এই সম্মিলনৰ উদ্দেশ্য 'ইম্পিৰিয়েল প্রেফাৰেন্স' নীতি সুপ্রতিষ্ঠিত কৰা। এই নীতিৰ প্রকৃত অর্থ হৈছে—বৃটিছ সাম্রাজ্যৰ ভিতৰত যিবিলাক ৰাষ্ট্ৰ আছে সেইবিলাকে বাণিজ্য বিষয়ত আৰু অর্থনৈতিক সম্পর্কত পৰস্পৰৰ প্রতি কিছুমান সৰ্ত্তত কেইটামান নীতি অৱলম্বন কৰিব। এই সম্মিলনত যোগ দিবলৈ ভাৰতকো আহ্বান কৰা হৈছে। আৰু ইয়াৰ ভিতৰতে যিভাৱে ভাৰতৰ পক্ষৰ পৰা প্রতিনিধিদলৰ যোগদানৰ প্রস্তাব হৈছে সেই বিষয় লৈ বহুত আলোচনা সমালোচনা হব লাগিছে। বোম্বাইৰ কলগ্রালা সমিতি আৰু ভাৰতীয় বণিক সমিতিৰ পৰা এই সম্মিলনত যোগ দিয়াৰ পক্ষে ভাৰত গভর্ণমেণ্টে মতামত বিচাৰিছিল। কিন্তু ভাৰতীয় বণিক সমিতিৰ চেক্রেটৰী শ্রীযুত জে,কে, মেহতা ডাঙৰীয়াই ইয়াৰ বিৰুদ্ধে মত প্রকাশ কৰিছে। আনহাতে কিন্তু বিলাতত মিঃ বলড়ুইনে বৰ উৎসাহেৰে এটা বক্তৃতাৰ ভিতৰত কৈছে—"I rejoice that the Government of India have agreed to send a deligation to Ottawa." অর্থাৎ "ভাৰত গভর্ণমেণ্টে যে অটোৱা সম্মিলনলৈ প্রতিনিধি পঠাবলৈ মনস্থ কৰিছে এই কথাত মই বৰ সন্তোষ পাইছোঁ।" সন্তোষ পোৱাৰে কথা, কাৰণ যৰোপীয় মহাসমৰৰ পিছতপৰাই, বিশেষকৈ যোৱা কেইছৰ মানৰ পৰাই যি অর্থসঙ্কট উপস্থিত হৈছে তাৰ ফলত ইংলণ্ডৰ আর্থিক অৱস্থা বৰ নিঃকিন হৈ পৰিছে। বর্ত্তমান সময়ত ইংলণ্ডৰ ব্যৱসায় বাণিজ্যৰ অৱস্থা বৰ ভাল নহয়। সেইদেখিয়ে ভাৰতবাসীৰ বিনা অনুমতিতে এই 'ইম্পিৰিয়েল প্রেফাৰেন্স' নীতি ভাৰতৰ ওপৰত চপোৱা হৈছে বুলি চাবিওফালে সন্দেহৰ প্রশ্ন উঠিছে। অৱশ্যে ইয়াৰ ভিতৰত কেনেডা, অষ্ট্রেলিয়া, দক্ষিণ আফ্রিকা প্রভৃতিও থাকিব। কিন্তু থাকিলেও সেইবিলাক ঠাইৰ কথা আৰু ভাৰতৰ কথা একে নহয়। সেইবিলাক উপনিবেশ প্রায় স্বাধীন ৰাষ্ট্ৰৰ নিচিনা। সেইবিলাকৰ স্বাধীনভাৱে নিজ মতামত দিবৰ আৰু সেই অনুসাৰে কাজ কৰিবৰ ক্ষমতা আৰু অধিকাৰ আছে। ভাৰতৰ নাই। ভাৰত গৱৰ্ণমেণ্টেই নহয়—ই স্বায়ত্ত শাসনৰ অধিকাৰীও নহয়। সেইদেখি এই অটোৱা সম্মিলনলৈ আন আন উপনিবেশৰ দৰে ভাৰতক নিমন্ত্রণ কৰাৰ কোনো অর্থ নাই। কাৰণ এই সম্মিলনত যোগ দি "ইম্পিৰিয়েল প্রেফাৰেন্স" নীতি গ্রহণ কৰিলে ভাৰতে সেইবিলাক দেশৰ লগত অর্থনৈতিক বিষয়ত মিত্রতা স্থাপন কৰিব লাগিব। মিত্রতা সমান সমানৰ লগতহে হব পাৰে। ভাৰতবাসীৰ লগত হোৱা কেনেকৈ সম্ভৱ হয়? ভাৰতবাসীয়ে বৃটিছ সাম্রাজ্যৰ

কেনেডা, অষ্ট্রেলিয়া, দক্ষিণ আফ্রিকা আদি উপনিবেশ বিলাকত মনুষ্যত্বৰ মর্য্যাদা নাপায়। ভাৰতবাসীৰ প্রতি সেইবিলাক ঠাইৰ বৰ নিকৃষ্ট ব্যৱহাৰ দেখুৱা হয়। এই বিলাক গাঁল এক বিষয়ৰ কথা।

আকৌ আন বিষয়ৰ কথা হৈছে—এইবিলাক অসামঞ্জস্যৰ বাহিৰেও কেৱল অর্থনীতিৰ ফালৰ পৰাই এই 'ইম্পিৰিয়েল প্রেফাৰেন্স' নীতি ভাৰতৰ পক্ষে ঘোৰ অনিষ্টকৰ।

ভাৰতৰ বহির্ব্বাণিজ্য কেৱল বৃটিছ সাম্রাজ্যৰ ভিতৰতে সীমাবদ্ধ নহয়। বৃটিছ সাম্রাজ্যৰ বাহিৰেও আমেৰিকা, জাৰ্ম্মানী, চীন, জাপান, কছিয়া আদি দেশৰ লগত বাণিজ্যৰ সম্বন্ধ আছে। "ইম্পিৰিয়েল প্রেফাৰেন্স" নীতি অৱলম্বন কৰিলে তেতিয়া এইবিলাকৰ লগত বাণিজ্য বিষয়ত সংঘাৰ বঢ়া টান হব। আৰু তেতিয়া ভাৰতীয় আমদানী বস্তুৰ ওপৰত শুল্ক বহুৱাবলৈ বিধা নকৰিব।

এনেকৈ গিফালৰ পৰাই চোৱা যায় সেই ফালৰ পৰাই এই অটোৱা সম্মিলনত ভাৰতৰ পক্ষৰপৰা যোগ দিয়াৰ কোনো সার্থকতা দেখা নাযায়। তাৰ পৰিবর্ত্তে দেখা যায় ভাৰতৰ ভবিষ্যতলৈ ঘোৰ অনিষ্টকৰ আশঙ্কা। বিশেষতঃ ভাৰত গভর্ণমেণ্টৰ মনোনীত প্রতিনিধিসকল ভাৰতৰ জনসাধাৰণৰ প্রতিনিধি নহয়। সেই নিমিত্তে গভর্ণমেণ্টৰ মনোনীত হ'ক নাইবা একেবাৰে চৰকাৰী হ'ক সেইবিলাক প্রতিনিধিৰ মতামত নাইবা কার্য্যকলাপৰ বাবে ভাৰতৰ জনসাধাৰণ দায়ী হব নোৱাৰে।

কলিকতাত অসম বাণিজ্য বাতৰি সমিতি

দেখা যায় অসমীয়া ডেকাসকলে কোনো বেপাৰত হাত দিবলৈ ওলালেই বেপাৰ সম্বন্ধে খবৰ বাতৰিৰ অভাৱত পৰে। তেনেবোৰ খবৰ-বাতৰি যিমানখিনি পৰা যায়, যোগাবলৈ এই সমিতি গঠন কৰা হৈছে। যোৱা ২৪ এপ্রিল তাৰিখে শ্রীযুত বোহিণী কুমাৰ বৰুৱা, এম্-এ ডাঙৰীয়াৰ সভাপতিত্বত কলিকতাৰ পি ৮৬, নিউপার্ক ষ্ট্রীটত সমিতিৰ উদ্দেশ্যবোৰ বিশদভাৱে আলোচনা কৰিবলৈ এই সমিতিৰ প্রথম অধিবেশন হয়।

এই সমিতিৰ প্রধান উদ্দেশ্য হৈছে অসমীয়া মানুহক বেপাৰ বাণিজ্যৰ ফালে ঢাল খুউৰা আৰু তেওঁলোকক উপযুক্ত খবৰ বাতৰি দি বেপাৰত সুচল লগাই দিয়া। এই উদ্দেশ্যে তলত দিয়া প্রস্তাৱ কেইটি সমিতিৰ প্রথম অধিবেশনত গৃহীত হয়।

১। বর্ত্তমানে অসমীয়া বেপাৰীয়ে বিদেশৰ পৰা যোৱা বস্তুবোৰ ঠাইৰে বিদেশী এজেণ্টৰ বা চৰ-এজেণ্টৰ হাতৰ পৰা সৰহ দামত কিনি লয়। যাতে এই অসমীয়া বেপাৰী সকলে ঠাইৰ এজেণ্টৰ সহায় নোলোৱাকৈ মূল কাৰখানা, কোম্পানী বা কলিকতাৰ ঘাই এজেণ্টৰ হাতৰ পৰা বস্তু কিনিব পাৰে, তাৰ কাৰণে অসমৰ বজাৰত যিবোৰ বস্তু আমদানী হয়, তাৰ এখন তালিকা কৰা হওক। এই তালিকা যুগুত কৰি সেই বস্তুবিলাক কি কি কাৰখানা, কোম্পানী বা ঘাই এজেণ্টৰ হাতত ক'ত পোৱা যায়, তাৰো এখন তালিকা কৰি বাতৰি কাকতত প্রকাশ কৰা হওক।

২। যিবোৰ বস্তু এতিয়াও আমাৰ বজাৰলৈ যোৱা নাই বা যিবোৰ বস্তুৰ বাবে এতিয়াও কোনো এজেণ্ট নিযুক্ত হোৱা নাই, কিন্তু যিবোৰৰ বজাৰ অসমত বর্ত্তমানে আছে, বা ভবিষ্যতে হবৰ সম্ভাৱনা আছে, সেইবোৰৰ বিস্তৃত তালিকা এটি কৰা হওক।

৩। অসমীয়া বেপাৰীসকলে বা বেপাৰ কৰিব খোজা আন সকলো অসমীয়া মানুহে ওপৰৰ তালিকাভুক্ত বস্তু-বাহানিবোৰৰ সম্বন্ধে কোনো বাতৰি বিচাৰিলে এই সমিতিয়ে যিমানদূৰ সম্ভৱ, তেওঁলোকক তেনে খবৰ যোগাই সহায় কৰিব আৰু আন আন ৰকমে সুচল কৰি দিবলৈ সাজু থাকিব।

৪। অসমত উৎপন্ন হোৱা যিবোৰ বস্তুৰ বাবে কলিকতাত বজাৰ আছে, সেইবোৰ বস্তু ইয়াত কোনে কেনেকৈ লয়, তাৰ অনুসন্ধান কৰি অসমীয়া বেপাৰীক জনোৱা হওক।

৫। ওপৰৰ প্রস্তাৱবোৰত উল্লেখ কৰা কার্য্যাৱলীৰ বাহিৰেও এই সমিতিয়ে আন সকলো সম্ভাৱিত উপায়েৰে অসমীয়া ব্যৱসায়ীসকলক সহায় কৰিবলৈ চেষ্টা কৰিব। অসমৰ আর্থিক উন্নতি সাধনৰ অর্থে সমিতিৰ এই সজ

উদ্দেশ্যত সদৌ অসমীয়া বাইজে উলনি, পৰামর্শ আদিবে সমিতিক সাহায্য কৰিব বুলি এই সমিতিয়ে আশা কৰে।

৬। তলত উল্লেখ কৰা সভ্যসকলেৰে এই সমিতিৰ কার্য্যনির্ব্বাহক সমিতি গঠন কৰা হৈছে।—

শ্রীযুত মোহিণী কুমাৰ বৰুৱা, এম-এ, Resident Director, Indian Planters Tea and Trading Agency.—সভাপতি।

শ্রীযুত অম্বিকানাথ বৰা, এম-এ, Lecturer, Calcutta University.—সম্পাদক।

শ্রীযুত জ্ঞাননাথ বৰা, বি-এল, হাইকোর্টৰ এডভোকেট।

শ্রীযুত হলীৰাম ডেকা, এম এ, বি এল, হাইকোর্টৰ এডভোকেট।

ডাঃ শ্রীযুত দীননাথ শর্ম্মা, সম্পাদক, আৰাহন।

শ্রীযুত তকণচন্দ্র বৰুৱা, মার্চ্চেণ্ট।

শ্রীযুত সুৰেন্দ্রনাথ বেজবৰুৱা, বি-এ, বলমা টি কোম্পানী।

শ্রীযুত উমেশচন্দ্র বৰুৱা বি-এ, ওৰিয়েণ্টেল এছিওৱেঞ্জ কোম্পানী।

শ্রীযুত অপূর্ব্বচন্দ্র বৰদলৈ, ইঞ্জিনিয়াৰ, Calcutta Electric Supply Corporation.

শ্রীযুত হৰেন্দ্রনাথ শর্ম্মা বি-এ।

ফ্রান্সৰ ভূতপূর্ব্ব প্রেচিডেণ্ট মঃ, ডুমাৰ—

ফ্রান্সৰ প্রেচিডেণ্ট মঃ, ডুমাৰ কচীয়ান এজনৰ গুলীৰ আঘাতৰ ফলত স্বর্গী হ'ল। হত্যাকাৰী পগলা বুলি খবৰ ওলাইছিল। তাৰ পিছৰ বাতৰিত প্রকাশ, হত্যাকাৰীৰ এই হত্যাকাণ্ড তেওঁৰ মূৰৰ বিকৃতি নাছিল। অভিপ্রেত আছিল।

ভূতপূর্ব্ব প্রেচিডেণ্টৰ ঠাইত নতুন প্রেচিডেণ্টৰ নির্ব্বাচন হৈ গৈছে। মঃ লে ব্রাঁই প্রেচিডেণ্টৰ কার্য্যভাৰ গ্রহণ কৰিছে। এইবাৰ প্রেচিডেণ্ট নির্ব্বাচন উপলক্ষে আন আন বাৰৰ দৰে উৎসৱ হোৱা নাই। এটা অতি শোকজনক ভাবৰ ভিতৰেদি এই নির্ব্বাচন কার্য্য সমাধা হৈ গৈছে। আৰু প্রেচিডেণ্টৰ আসনত শোক প্রকাশৰ সাজ পিন্ধি মঃ ব্রাঁই পৰিষদৰ উদ্বোধন কৰিছিল।

মঃ ডুমাৰ পোন-প্রথমে পুতলা সাজি জীবিকানির্ব্বাহ কৰিছিল। তেতিয়া তেওঁৰ বাৰ বছৰ বয়স আছিল। তাৰ চৰছৰ পিছতে তেওঁ কোনো এখন সোণৰ কাৰখানাত কাম লৈছিল। কিন্তু তেওঁ আজৰি সময়খিনি সদায় গল্প-গুজবাত ব্যয় কৰিছিল। এনেকৈ তেওঁ য়ুনিভার্চিটৰ সুমাবলৈ সক্ষম হৈছিল আৰু তাৰপৰা ডিগ্রী লাভ কৰিছিল। তাৰ পিছতে তেওঁ কলেজৰ অধ্যাপক হবলৈ পাইছিল। সেই সময়তে তেওঁ কাকত চলাইছিল আৰু বাজনীতি চর্চ্চা কৰিছিল। তাৰ পিছত ১৮৮৮ খৃষ্টাব্দ পার্লামেণ্টত সোমায়। তাত ১৮৯৫ খৃষ্টাব্দ বাজস্বসচিব হয়। তাৰ পিছৰ বছৰতে তেওঁ ইণ্ডো-চাইনাৰ গভর্ণৰ জেনেৰেল নিযুক্ত হৈছিল। তাৰ পিছত ১৯০৫ খৃষ্টাব্দত তেওঁ চোৱৰ প্রেচিডেণ্ট আছিল। এনেকৈ অৱশেষত গোটেই ফ্রান্সৰ প্রেচিডেণ্ট হবলৈ পাবিছিল। প্রতিভাশালী পুৰুষ এনেকৈ অতি নিঃকিন অৱস্থাৰ পৰাও বৰ ওখ আসন অধিকাৰ কৰা এনে দৃষ্টান্ত বহুত পোৱা যায়।

আমিও মঃ ডুমাৰৰ মৃত্যুত গভীৰ শোক প্রকাশ কৰিছোঁ।

আত্মসম্মান-বোধ

অসমত আছিলতে অনুন্নত বুলি তেনে কোনো সম্প্রদায় নাথাকিলেও এই তথাকথিত অনুন্নত সম্প্রদায়ৰ নিজে সজা প্রতিনিধিসকলে নিজ স্বার্থসিদ্ধিৰ উদ্দেশ্যে তেওঁলোকৰ সম্প্রদায়টোকে সমাজৰ চকুত হেয় কৰি ৰাখিবলৈ বিগাৰিছিল। বৰ সুখৰ কথা এই সম্প্রদায়ৰ প্রকৃত হিতাকাঙ্ক্ষী শ্রীযুত চিন্তানন্দ দাস ডাঙৰীয়াই ভালকৈ দেখুৱাই দিছে, কেনেকৈ এই নিজে সজা প্রতিনিধিসকলৰ কার্য্যাবলীয়ে তেওঁলোকৰ সম্প্রদায়টোক সমাজৰ চকুত হীন কৰি ৰাখিবলৈ ওলাইছে। এনেকৈ আত্মসম্মান-বোধ জগাই তুলিবলৈ চেষ্টা কৰাৰ বাবে শ্রীযুত দাস আমাৰ শলাগৰ পাত্র।

ভাৰতীয় ছাতৰৰ কাৰণে জার্ম্মাণ বিশ্ববিদ্যালয় বিলাকৰৰ সহানুভূতি

প্রতি বছৰে জার্ম্মাণ বিশ্ববিদ্যালয়বিলাকৰ পৰা ভাৰতীয় ছাতৰৰ বাবে কেবাটিও বৃত্তি দিয়া হয়। আমাৰ অসমীয়া কোনো ছাতৰে এতিয়ালৈকে এনে ধৰণৰ বৃত্তি পোৱা নাই। দুজনে ইয়াৰ বাবে চেষ্টা কৰিছে বুলিও আমি নাজানো। এইবাৰো ১৯২২-৩৩ চনৰ বাবে জার্ম্মানীৰ বেংগে বেংগে বিশ্ববিদ্যালয়বিলাকে ভাৰতীয় ছাতৰৰ কাৰণে তলত লিখা বৃত্তিবিলাক নির্দ্ধাৰিত কৰিছে বুলি 'ইণ্ডিয়ান ইনষ্টিটিউট অৱ্ ডিউচ্চ একাডেমিয়ে' জনাইছে।

(১) ব্রেস্লোৰ বিশ্ববিদ্যালয়ৰ বৃত্তি—এই বৃত্তিৰ লগত মাছুল নোহোৱাকৈ পঢ়িবৰ বাৰস্থা আছে। ৩০ মার্ক হাত খৰচ বাবে দিয়া হয় [সাহিত্য, দর্শন, গণিত, শিল্পকলা আৰু ভাৰত সম্বন্ধীয় বিষয়ৰ বাবে মাথোন]।

(২) ড্রেচডেনৰ টেক্‌নোলজিকেল য়ুনিভাৰ্চিটি—ইয়াত কেৱল মাছুল নোহোৱাকৈ পঢ়িবৰ বন্দোবস্ত আছে।

(৩) হোনহেনহীমৰ কৃষি বিশ্ববিদ্যালয়—ইয়াত মাছুল নোহোৱাকৈ পঢ়িবৰ আৰু ভাড়া নিদিয়াকৈ থাকিবৰ বন্দোবস্ত আছে।

(৪) মুৰবাৰ্গৰ বাণিজ্য আৰু শ্রমশিল্প বিশ্ববিদ্যালয়—ইয়াৰ 'মেন্সা' একাডেমিক মাছুল নোহোৱাকৈ পঢ়িবৰ আৰু থকা নিদিয়াকৈ খাই থাকিবৰ বন্দোবস্ত আছে।

এই বৃত্তি কেইটা ১৯৩২ চনৰ নবেম্বৰৰ পৰা ১৯৩৩ চনৰ জুলাইলৈকে থাকিব। বিদেশত স্বীকৃত ভাৰতৰ বিশ্ববিদ্যালয়ৰ বিলাকৰ গ্রেজুৱেট সকলে আবেদন কৰিব পাৰে। গ্রেজুৱেট নোহোৱা কোনোজনে যদি সাহিত্য নাইবা বিজ্ঞান বিষয়ত কিবা কৃতিত্ব আর্জ্জিব পাৰিছে তেনেহলে তেওঁৰ দৰখাস্তও বিবেচনা কৰা হব। দৰখাস্তৰ লগত যি অধ্যাপকৰ ওচৰত তেওঁ পঢ়িছে তেনে এজনৰ প্রশংসাপত্র দিব লাগিব।

অসম সাহিত্য সভাৰ যোৰা শিৱসাগৰ অধিবেশনত গৃহীত প্রস্তাব সম্বন্ধে

অসম সাহিত্য সভাৰ যোৰা অধিবেশনত বহুত প্রস্তাব গৃহীত হৈছিল। তাৰ ভিতৰত কেইটিমান প্রস্তাবৰ গধুৰতা বৰ বেছি আছিল। কৰ গলে এই অধিবেশনৰ শুকন্তৰ আংশিকভাবে সেইবিলাক প্রস্তাবৰ পৰাই বাঢ়ি উঠিছিল। কিন্তু কোনো সভা সমিতিৰে কোনো ডাঙৰ প্রস্তাবেও একো কাম দিব নোৱাৰে যদি তাক কার্য্যত পৰিণত কৰিবলৈ চেষ্টা কৰা নহয়। শুকন্তৰপূর্ণ প্রস্তাব অনুসাৰে কাম হাতত ললে যেনেকৈ তাৰপৰা হিতসাধনৰ সম্ভৱ আছে আনফালে তেনেকৈ তেনে প্রস্তাব গ্রহণ কৰিয়ে পেলাই থোৱাতো অসুবিধা আছে। তেনে কৰাত অনুষ্ঠানৰ গৌৰৱত আঘাত পৰে। বিপক্ষদলে হাঁহিবলৈ, ইতিকিং কৰিবলৈ সুচল পায়।

অলপতে এজনে 'ৰাতবি'ত এই প্রস্তাবৰ কার্য্য কিমান-খিনি আগ বাঢ়িল তাৰ বিষয় প্রশ্ন কৰিছে। আমি আশা কৰোঁ আমাৰ দেশৰ গৌৰৱ-অসম সাহিত্য সভাৰ ওবিয়াল সকল বহি থকা নাই। অৱশ্যে দেশৰ নানা অশান্তি আদিব বাবে, বিশেষকৈ বাজনৈতিক অশান্তিৰ কাৰণে কামৰ ভাগ বেছি আগ নবঢ়াটোৱেই সম্ভৱ। তথাপি জাতিৰ আৱশ্যকতাবে চাই লাহে লাহে হলেও এইবিলাক উদ্দেশ্যে যে আগ-বাঢ়িব লাগিব তাত কোনো সন্দেহ নাই।

সমালোচনা

ৰৱদৈচিলা—

লঘু সাহিত্যৰ বহুবেকীয়া সংগ্ৰহ সম্পাদক শ্ৰীযুত কমলচন্দ্ৰ বৰুৱা, আৰু টাঙ্ক 'অদ্ভুত ভৱন'ৰ পৰা শ্ৰীযুত বিষ্ণুচন্দ্ৰ বৰুৱা এম-এ, বি-এলৰ দ্বাৰা প্ৰকাশিত।

সম্পাদক ডাঙৰীয়াই 'ৰৱদৈচিলা'ৰ নিবেদনত কোৱা কথা অতি সঁচা। অসমত এনে এখন বহুবেকীয়া আলোচনীৰ অভাৱ বাস্তৱতে ৰৱকৈ উপলব্ধিৰ বস্তু আছিল। পিছে ইমান দিনেও তাৰ কোনো আগ নবঢ়াৰ কাৰণ খুব সম্ভৱতঃ—অসমত কাকত চলোৱা ব্যৱসায়টো এতিয়াও লাভজনক হৈ নুঠা, বুলিয়ে। যিকি নহ'ক ৰৱদৈচিলাৰ উদ্যোক্তা সকলে প্ৰথমতে নানা আশোৱাহ আশঙ্কা অনুমান কৰিও যে আগ নবঢ়াকৈ থকা নাই সেইবাবে তেওঁলোকে আমাৰ দেশবাসীৰ ধন্যবাদ পাব লগীয়া। আমিও সেই বাবে তেওঁলোকৰ, বিশেষকৈ সম্পাদক শ্ৰীযুত কমলচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ শলাগ লৈছো। আৰু আমি আশা কৰিছোঁ এই নতুন আৰু মহৎ অনুষ্ঠানলৈ আমাৰ বাইজে কাৰ্য্যকৰীভাৱে সহানুভূতি আগ বঢ়াব।

ৰৱদৈচিলাৰ ১ম ভাগ ১২৮ পিঠিত শেষ কৰা হৈছে। বহুবেকীয়া কাকতৰ সংখ্যা হিচাপে এই ১২৮ পিঠি ৰৱ বেছি যেন নালাগিলেও প্ৰথম অৱস্থাত, তাতে আকৌ ৰৱ কম সময়ৰ ভিতৰতে, ইমানখিনি কবি তোলা ৰৱ সহজ কথা নাছিল। তাক সুকলমে সমাধা কৰি তুলিব পৰাত সম্পাদক ডাঙৰীয়াৰ কৃতিত্ব যথেষ্ট ওলাইছে। অৱশ্যে প্ৰথম চেষ্টা আৰু তাকো ৰৱ লৰালৰিৰ ভিতৰেদি সমাধা কৰিব লগীয়া হোৱাত তাৰ প্ৰবন্ধসম্ভাৰ সম্বন্ধে যদি কিবা ত্ৰুটী লক্ষ্য হয়ও তথাপি তাক মন কৰিব লগীয়া নহয়।

আকৌ আলোচনীখনত কেবাটাও ছবিও দিয়া হৈছে। বাকলিৰ ওপৰৰ ছবিটোৱে কাকতখনৰ নাম-পৰিচয় দিছে আৰু নিভাজ অসমীয়া ভাব দুটাই তুলি ধৰিছে। ৰৱদৈচিলা উলিয়াই আমাৰ জাতীয় উৎস, বঙালী বিহুৰ মহত্ব মানুহক বেছিকৈ বুজিবলৈ সুবিধা দিয়া হৈছে। ৰৱদৈ চিগাই সাহিত্যৰ ভিতৰেদি এই বিহুৰ কণ-মাহাত্ম্য প্ৰকাশ কৰিছে। ছবি, কাকত, কলেৰ আদি সকলো ফালৰে লক্ষ্য কৰিলে আলোচনীখনৰ বেচ আঠ অনা কমহে হৈছে। আমি ইয়াৰ দীৰ্ঘজীৱন আৰু বহল প্ৰচাৰ কামনা কৰোঁ।

৫২৫৫/অ:

প্ৰাথমিক ব্যাকৰণ—

লিখক শ্ৰীযুত প্যাৰীমোহন নাথ। বেচ তেৰ পইচা।

ভালকৈ ভাষা শিক্ষা কৰিবলৈ ব্যাকৰণ জনা আৱশ্যক। কিন্তু ব্যাকৰণৰ নিয়মবোৰ সাধাৰণতঃ জটিল আৰু নীৰস। গতিকে শিক্ষাৰ্থীসকলে তাক আয়ত্ত কৰিবলৈ বৰ টান পায় আৰু নিপুণ শিক্ষকসকলৰ সহায়তা নাপালে ব্যাকৰণ নিয়মৰ মাজত ছাত্ৰসকলৰ মন নবহে। শ্ৰীযুত নাথ ডাঙৰীয়া নিজে এজন অভিজ্ঞ শিক্ষক। গতিকে তেওঁ ছাত্ৰসকলৰ অসুবিধা যিমান দূৰ বুজে, আৰু তাৰ প্ৰতিকাৰৰ উপায় বিচাৰি উলিয়াব পাৰে, আনে তিমানখিনি পৰাটো টান। "প্ৰাথমিক ব্যাকৰণ"ত এই বিষয়ৰ নানা কঠিন কথাকো লিখকে সহজ উপায়ে বুজাবলৈ চেষ্টা কৰিছে। অসমীয়া শিক্ষাৰ্থী আৰু অসমৰ শিক্ষাবিভাগৰ পৰা পুথিখনিৰ আদৰ হোৱাটো বাঞ্ছনীয়

১৩নং বৃন্দাবন মল্লিক লেন কামৰূপ প্ৰেছত শ্ৰীঅপূৰ্ব্ব কুমাৰ ভূঞা দ্বাৰা মুদ্ৰিত, ডাঃ দীননাথ শৰ্ম্মা দ্বাৰা প্ৰকাশিত।



'কদম গছৰ তলত'

৫২৫৬/অ:



অসম সাহিত্য সভা
ASAM SAHITYA SABHA

৩য় বছৰ
৮ম সংখ্যা

আৱাহন

জেঠ
১৮৫৪ শক
১৯৩২ খ্রীষ্টাব্দ

প্রার্থনা

কবিতা— —ৰায় বাহাদুৰ শ্রীযুত আনন্দচন্দ্র আগৰৱালা

১

মধুময় বলোক বতাহ,
মধুময় নদীৰ প্রবাহ,
মধুৰ শ্যামল বনৌষধি,
মধু হোক উষা দিনে-ৰাতি ;
মধু পৃথিবীৰ ধূলিকণ,
মধু পিতৃমাতৃ গুৰুজন,
মধুময় দ্যুলোক ভূলোক,
মধুময় সকলোটি হোক ;

মধুময় বন বনস্পতি,
মধুময় ৰবিৰ জ্যোতি,
দিশে দিশে মধুৰ বর্ষণ,
মধুময় হোক মোৰ মন।
—ঋগ্বেদ, ১ম অষ্টক, ষষ্ঠ অধ্যায়।

২

অসত্য অজ্ঞান নাশি দিয়াঁ সত্য জ্ঞান।
তিমিৰ বিনাশি প্রভো, কৰাঁ জ্যোতিদান॥
মৃত্যু হস্তে নিয়াঁ প্রভো, অমৃতৰ ধাম।
হে সত্য অমৃত জ্যোতি, তোমাক প্রণাম॥
—বৃহদাৰণ্যক উপনিষৎ, ১ম অ, ৩য় ব্রাহ্মণ, ২৮ মন্ত্র।

আমাৰ ভাষাৰ ওপৰত কবিৰ প্ৰভাৱ আৰু কাব্য

—শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা

কেনেবাকৈ "হেমকোষ"খনৰ ৰটা পিঠি হেৰাল, তাত 'অ-কবি' শব্দটো আছে নে নাই কব নোৱাৰিলো, আৰু আমাৰ ভাষাত ইয়াক এইভাৱে ব্যৱহাৰ কৰিব পাৰি নে নোৱাৰি, তাকো ভালকৈ বুজি উঠিব পৰা নাই। সেই কাৰণে আমাৰ পাঠক-পাঠিকাসকলে বুজিবলৈ সুচলৰ নিমিত্তে এইখিনিতে কৈ থওঁ যে 'অ-কবি' মানে আমি যিসকল "কবি" নহয়, প্ৰধানকৈ সেইসকলক হে বুজাইছোঁ। 'কবি'ও কিন্তু কেইবা ধৰণৰো (অন্ততঃ আমাৰ নিচিনা 'অ-কবি'সকলৰ চকুত)। 'ওগমালা'ৰ কবিও কবি, "মেঘদূত"ৰ কবিও কবি; কবিতাত ছন্দভঙ্গ দোষেই থাওক বা সি লালিত্যবিকৃদ্ধই হওক, যেনেই হওক লাগে, অন্ততঃ যেয়ে কবিতাৰ দুই চৰণৰ শেষ আখৰৰ মিল কবি পৰাৰ লিখিব পাৰে, আমি তেওঁকে 'কবি' বুলি ধৰিছোঁ। আমি যাক 'অ-কবি' বুলিছোঁ, সেইসকল কিন্তু সেই 'কবি' সকলৰ পৰাও লক্ষযোজনৰ অন্তৰত, অৰ্থাৎ সিবিলাকে কবিতাৰ একোকে বুজে। যিবিলাক প্ৰকৃত কবি, অন্ততঃ যিসকলে কবিৰ কবিত্বৰ সোৱাদ উপলব্ধি কবিব পাবে, সেইসকলে কবিক কিভাৱে বৰ্ণনা কৰিলেহেতেন, সেইটো আমাৰ ভাবৰ সীমাৰ পৰা বহত দূৰৈত। আমাৰ মানত, যেয়ে কবিতা বা পদ্যৰ লিখিব পাবে, সেয়ে কবি; আমাৰ বোধেৰে আমাৰ গাৱঁৰ বহুতা ককাইহঁতো কবি, আৰু বিহুতা ভাইটিহঁতো কবি। সঁচাকৈয়ে, ভাবিবলৈ গ'লে আমাৰ বিহুতা ভাইটিহঁত প্ৰকৃততে 'স্বভাৱ কবি'। সিবিলাকৰ 'আঠীয়া কলৰে পাতে নাকাটিবি

ছিটিকি পৰিব এঠাঁ।
লোকৰে দেখুৱাই কেটেৰাই মাতিবি
ভিতৰি নেবিবি বেথা॥

ইয়াত যে কি অমৃতময় কবিত্ব নিহিত আছে, সেইটো কেৱল কবিসকলে হে বুজিব পাৰিছে। সি যি কি নহওক, আমি আজি কিন্তু সেইসকলৰ কথা একোকে নকওঁ; সিবিলাকৰ লগত আওপাকেদি আমাৰ সম্বন্ধ থাকিলেও, আজি সৌ পাকেদি নাই। আমাৰ ঘনিষ্ঠ সম্বন্ধ আছি পদ্যৰ বা কবিতা লিখিব পৰা কবিসকলৰ লগত হে।

'অহে মোৰ প্ৰিয় লঘা, উপদেশ ধৰা।
কাম্যমনোবাক্যে তুমি বিদ্যা শিক্ষা কৰা।'

এনে কবিতা যিসকলে লিখিব পাবে, আমি সেই সকলকেই কবি বুলিছো (অৱশ্যে কাব্য লিখোতাসকলক কবি বুলিবই লাগিব)। মুঠতে কবলৈ গলে কাব্য বা কবিতা যি লিখে সেয়েই আমাৰ মানত কবি।

এই কবিসকলৰ ভাষা সুকীয়া। সাধাৰণতে, সকলো ভাষাবেই ৰূপ তিনটা,—প্ৰথম 'কথিত ভাষা', দ্বিতীয় 'গদ্যৰ ভাষা' আৰু তাৰ পাছত 'পদ্য বা কবিতা বা সঙ্গীতৰ ভাষা'। এই শেষৰ ভাষাই হৈছে আমাৰ কবিসকলৰ ভাষা। 'কথিত ভাষা' হৈছে মানুহে সৰ্ব্বসাধাৰণতে ব্যৱহাৰ কোৱা-মেলা ভাষা। সেই ভাষাই স্থান, কাল আৰু পাত্ৰ বিশেষে বিভিন্ন আকাৰ ধাৰণ কৰে। এই ভাষাৰ "ব্যাকৰণ" হ'ব নোৱাৰে। এই 'কথিত ভাষাৰ ব্যাকৰণ' হবলৈ হলে, প্ৰতিযোজনৰ অন্তৰতে (অন্ততঃ উজনি অসমত এখন আৰু নামনি অসমত এখন, নিচেই কমেও দুখন) 'ব্যাকৰণ' লিখিব লগা হ'ব।

প্ৰকৃততে কবলৈ গলে, (আমাৰ বোধেৰে) যি কোনো দেশবেই হওক, ভাষা যেনেকুৱা আকৃতিবেই হওক, সকলো দেশবে 'গদ্য ভাষা' এক বুলি ধৰিব লাগে। এই 'গদ্য ভাষা' ভাষাৰ দ্বিতীয় ৰূপ, তৃতীয় ৰূপ হৈছে 'পদ্য আৰু সঙ্গীতৰ ভাষা'। এই ভাষা ভাষাৰ প্ৰথম ৰূপ 'কথিত ভাষা'ৰ পৰা, আৰু দ্বিতীয় ৰূপ 'গদ্যৰ ভাষা'ৰ পৰা অনেক

বিভিন্ন, কিন্তু প্ৰকৃতপক্ষে কবলৈ গলে এই ভাষা (অৰ্থাৎ 'গদ্য বা সঙ্গীতৰ ভাষা') সাৰ্ব্বজনিক (অন্ততঃ আমাৰ দেশত আৰু ভাষাত)। এই তিনিও বিধ ভাষাৰ শব্দ, বিভক্তি আৰু গঠন-প্ৰণালী সকলোৱেই পৰস্পৰৰ পৰা অলপ নহয় অলপ বিভিন্ন। যেনে – কাব্যৰ ভাষা 'মম, তমু' ইত্যাদি; কথিত ভাষা আৰু গদ্য ভাষা হৈছে 'মোৰ, তোৰ, তোমাৰ' ইত্যাদি; ইফালে পদ্যত দেখিব 'কৰিলে, দেখিলে, ক'লে' ইত্যাদি; কিন্তু কবিৰ ভাষাত সেইবোৰৰ ৰূপান্তৰ ঘটি হব 'কৰিলা, দেখিলা, বুলিলা' ইত্যাদি। কথিত ভাষাত 'কোন ওলাল' তাৰ গদ্য ভাষা হল (সাধু ভাষাত) 'চন্দ্ৰ উদয় হ'ল'; কিন্তু তাক কবিসকলে লিখিবলৈ হলে 'চন্দ্ৰ উদয় হ'ল' এনেদৰে নিলিখি 'উদিল চন্দ্ৰমা' এনে ধৰণেৰে লিখিব। ওপৰত উল্লেখ কৰা তিনিও প্ৰকাৰ ভাষাৰ ভিতৰত, বৰ্ত্তমান যুগত, ইউৰোপ আদি দেশত গদ্য ভাষাৰ অনুকৰণেৰেই 'ব্যাকৰণ' লিখা হৈছে; কাৰণ, সেই বিলাক দেশৰ ভাষাত গদ্য ৰচনাকেই, গদ্যৰ ভাষাকেই প্ৰধান সাহিত্য বুলি ধৰি লৈছে, আৰু কথিত ভাষা (আৰু পদ্য-সঙ্গীতৰ ভাষাও) সিবিলাক দেশত যথাসম্ভৱ তেনে 'ব্যাকৰণ'ৰ দ্বাৰাই অনুশাসিত হৈছে। কিন্তু প্ৰকৃত কথা কবলৈ গলে আমাৰ ভাষা (আমাৰ অসমীয়া ভাষা) তাৰ লগত বিজাৰ নোৱাৰি। কিয়নো আমাৰ ভাষা সংস্কৃতমূলক ভাষা, আমাৰ ভাষাৰ মূল হৈছে সংস্কৃত ভাষা। আৰু ভালকৈ ভাবি চাবলৈ গলে, সংস্কৃত 'ব্যাকৰণ' পদ্য বা সঙ্গীতৰহে 'ব্যাকৰণ'। কাৰণ আমি দেখিবলৈ পাইছোঁহক, পূৰ্ব্বকালত সংস্কৃত সাহিত্যত (অধিক কি, আমাৰ অসমীয়া ভাষাতো) প্ৰায় সকলোবিলাক পুথিয়েই প্ৰথমতে পদ্যত বিৰচিত হৈছিল। এই নিমিত্তে পদ্য বা কবিতাই তেতিয়া আমাৰ সাহিত্যৰ প্ৰধান ভাষা আছিল বুলি ধৰিব পাৰোহঁক আৰু তাক অৱলম্বন কৰিয়েই আমাৰ 'ব্যাকৰণো' লিখা হৈছিল। দ্বিতীয়তঃ, কোৱা শুনো যে সংস্কৃত পাণিনি প্ৰভৃতি ব্যাকৰণত যি 'উদাত্ত' 'অনুদাত্ত' ইত্যাদি উচ্চাৰণৰ ব্যৱস্থা আছে, সেইবিলাক পদ্য বা সঙ্গীতৰ ব্যাকৰণ নোহোৱা হলে নাথাকিলেহেঁতেন, কাৰণ তেনেকুৱা উচ্চাৰণৰ গদ্য ভাষাত কোনো প্ৰয়োজন নাই। তৃতীয় কাৰণ হৈছে, সংস্কৃত ব্যাকৰণত কৰ্ত্তা, কৰ্ম্ম, ক্ৰিয়া, বিশেষ্য, বিশেষণ প্ৰভৃতি কাৰ পাছত কোনটো বহিব এনে কোনো ব্যৱস্থা নাই। ই যদি ভাষাৰ ব্যাকৰণ হলহেতেন, তেনেহলে তেনে ব্যৱস্থা নিশ্চয় থাকিলহেতেন। পদ্য বা সঙ্গীত আদিত কৰ্ত্তা, কৰ্ম্ম, ক্ৰিয়া আদিৰ কোনো নিৰ্দ্দিষ্ট ঠাই নাই, গতিকে আমি ধৰি ল'ব লাগিব যে তেনে কাৰণতেই সংস্কৃত ব্যাকৰণতো সিবোৰৰ কোনো নিৰ্দ্দিষ্ট স্থানৰ ব্যৱস্থা নাছিল।

ইমানবিলাক কোৱাৰ আমাৰ মূল উদ্দেশ্য হৈছে,—আমাৰ ভাষাৰ ওপৰত কবিসকলৰ প্ৰভাৱ কি, তাক দেখুৱা, আৰু সেইসকলেই যে আমাৰ ভাষাৰ প্ৰথমতে গঢ়দিওঁতা, চমুকৈ তাবে অলপ আভাস দিয়া। আমাৰ ভাষাক সিবিলাকে যিভাৱে সজাইছিল, ভাষাত্মো তেনে সাজুকে পিন্ধিছিল বুলিলেও মিছা কোৱা নহ'ব। পূৰ্ব্বতে কোৱা হৈছে, আমাৰ ভাষাত প্ৰথমতে পদ্যত হে পুথিবিলাক বচিত হৈছিল, আৰু সেই পদ্য লিখা কবিসকলে লিঙ্গাদি নিৰ্দ্ধাৰণ কৰোঁতেও যি শব্দক যি লিঙ্গত নিৰ্দ্ধাৰণ কৰিছিল, এতিয়াও সেইভাৱেই চলিত হৈ আছে। যেনে, "লাব-কলত্ৰাদি" শব্দক সিবিলাকে ক্লীবলিঙ্গ বুলি নিৰ্দ্ধাৰণ কবি গৈছে। তেনে শব্দ স্ত্ৰীলিঙ্গবাচক শব্দ হলেও, আমি এতিয়াও সেইবোৰক ক্লীবলিঙ্গ বুলিয়েই ধৰি আছোঁহক। এনেকুৱা অনেক কাৰণ আছে, যাৰ পৰা আমি ভাবিব পাৰোঁহক যে কবিসকলেই আমাৰ ভাষাৰ প্ৰথম গঢ়দিওঁতা আৰু আমাৰ ভাষাৰ আদি মূল।

কবিসকলে ৰচনা কৰা পুথিকেই "কাব্য" বোলা হয়। সংস্কৃত শাস্ত্ৰত কৈছে যে অলৌকিক আনন্দজনক বাক্যক, অৰ্থাৎ অত্যন্ত চমৎকাৰ ৰচনাক কাব্য বোলে। কিন্তু আমি এনে ভাবিব নালাগো যে যদি আনন্দজনক ৰচনাই কাব্য হয়, তেনেহ'লে যি পুথিত শোক, ক্ৰোধ, ভয় আৰু ঘৃণাজনক ৰচনা থাকে, সেইবিলাকক কাব্য বুলিব নালাগিব। অলপ দৰকৈ বিবেচনা কৰি চালেই বুজিব পাৰি যে শোক, ক্ৰোধ, ভয় আদি থকা ৰচনাতো শোকাদি-মিশ্ৰিত অনেক অনিৰ্ব্বচনীয় আনন্দৰ অনুভৱ হয়। সীতাৰ বনবাসৰ কৰুণ ৰসপূৰ্ণ বৰ্ণনা বিলাক পাঠ কৰিলে,

সকলোবে অন্তবত শোকব উদয় হয়, কিন্তু সেইবিলাকি পঢ়িবলৈ কোনেও দুখ অনুভব নকবে, অথচ সকলোৱেই অতিশয় ঔৎসুক্যেবে সৈতে সেইবিলাক পাঠ কবে। আক দেখা যায়,—পুকুষসকলবে ভবি থকা বাজসভাব মাজত যেতিয়া দ্রৌপদীব চুলিত ধবি বস্ত্রহবণ কবিবলৈ চেষ্টা কবে, সেই কার্য্যত সৰ্ব্বসাধাবণব মনত লজ্জা জন্মিলেও, সভাব মাজত অনাথা অবলাক বিবসনা কবিবলৈ চেষ্টা কবা দেখি, প্রত্যেকবেই মনত ঘৃণাব উদ্রেক হ'লেও তেনে বর্ণনা থকা পুথিক কিন্তু (যদি পদ্যত বচিত হয়) আমি কেতিয়াও "অ-কাব্য" বুলি ধবি ল'ব নোৱাবোঁ। কিয়নো, আমি জানো যে তেনে "কাব্য" পঢ়িবলৈও সৰ্ব্বসাধাবণব এটা মহৎ ঔৎসুক্য জন্মে। "কাব্য"—যাব নাম লৈ "কবি" শব্দব সৃষ্টি হৈছে,—সেই কাব্য গদ্যে পদ্যে, কিম্বা উভয় প্রকাবেই বচনা হ'ব পাবে। ছন্দহীন বচনাক সাধাবণতে গদ্য বুলি ধবিলেও, তেনে বচনাত কবিত্ব ভাব নিহিত থাকিলে, আমি তাক "গদ্য-কাব্য" বুলি ধবি ল'বলৈ বাধ্য। ধ্রুবব বিষয়, আমাব ভাষাত তেনে কাব্য আজিও নোলাল! (যদিও ওলাইছে, আমাব চকুত আজিলৈকে পবা নাই।) বঙ্গভাষাত তেনে কাব্য আছে, যেনে,—"উদ্‌ভ্রান্ত প্রেম"। আমাব উঠি অহা ডেকা কবিসকলব পবা তেনেকুবা কাব্য এখনি পাবলৈ আশা কবিব নোৱাবি নে?

কাব্য সাধাবণতে দুই শ্রেণীব বা দ্ববিধ—যেনে, "দৃশ্য-কাব্য" আক "শ্রব্যকাব্য"। যাব বঙ্গালয়ত অভিনয় হয়, তাবেই নাম "দৃশ্যকাব্য," যাব শ্রবণ ভিন্ন অভিনয় নহয়, তাক "শ্রব্যকাব্য" বুলি ধবা হয়। এই "শ্রব্যকাব্য"ক তিনটা ভাগত বিভক্ত, যেনে—"মহাকাব্য", "খণ্ড-কাব্য" আক "কোষকাব্য"। কোনো দেৱতাব, অথবা সৎশজাত অশেষ গুণশালী ভূপতিসকলব বৃত্তান্ত লৈ যি কাব্য বচিত হয়, তাক "মহাকাব্য" বোলে; সেই মহাকাব্য নানা সৰ্গত বা পবিচ্ছেদত বিভক্ত, অন্ততঃ তাব অৰ্দ্ধ সংখ্যা অষ্টাধিক নহ'লে তাক "মহাকাব্য" বুলিব নোৱাবি। মহাকাব্যত প্রতি নায়কব গুণ অধিকতবভাৱে বর্ণিত হ'লে নায়কব পক্ষে সেইটো অশেষ গৌৰবব বিষয় হয়। ইয়াত ধর্ম্ম, অর্থ, কাম, মোক্ষ এই চতুৰ্ব্বৰ্গ ফল বর্ণিত থাকে; নগব, বন, উপবন, পর্ব্বত-পাহাড়, সমুদ্র, চন্দ্র-সূর্য্য উদয়-অস্ত, ক্রিড়া, মৃগয়া, যুদ্ধ প্রভৃতি ভিন্ন ভিন্ন বিষয় বিলাক অনতিসংক্ষেপে বা অনতিবিস্তীর্ণকপে ভিন্ন ভিন্ন ছন্দত আক পবিচ্ছেদত বচিত হয়। মহাকাব্যত আড়ম্বব, বীববস, কৰুণবস, শান্তবস এইবিলাকেই প্রধান। মাজে মাজে অন্য বসব প্রসঙ্গও তাত দেখা যায়। কবি বিষয় বর্ণনীয় বিষয় নৈ, অথবা নায়ক-নায়িকাব নাম অনুসবিয়েই মহাকাব্যব নাম নির্দ্দেশ কবা হয়। খণ্ডকাব্যও মহাকাব্যব প্রণালীবেই বচিত হয়, কিন্তু মহাকাব্যব লক্ষণবিলাক তাত সম্পূর্ণকপে নাথাকে, আক তাব দবে ই দীঘলীয়াও নহয়। তানলয়-বিশুদ্ধ আক সু-শ্রবসযুক্ত কবিতাবলীব গীতকাব্য বোলে। এই গীতকাব্যক খণ্ডকাব্যব লগতো কোনোৱে ধবে। একে প্রসঙ্গবে কিছুমান পৰস্পৰ-অসম্বন্ধ কবিতাক "কোষকাব্য" বুলি কয়।



খাম্বা-থোইবীব সাধুকথা

(আগব সংখ্যাব পিছবপবা)

উপন্যাস— —শ্রীযুত বজনীকান্ত বৰদলৈ, বি-এ

আমাব অসমীয়াব মাজত যোজনা এটা আছে—"সাপেও নাপাহবে কঁকালব কোৰ—মালিনীয়েও নাপাহবে ফুলব শোক।" থোইবীব বাপেক যুবৰাজব গাতে এই পটন্তবটো খাটিছিল। খাষাক মবোৱা আক হাতীব ভবিত বান্ধি কষ্ট দিয়া দোষতে যুবৰাজ যে কিছুকাল বাজদণ্ডিত বন্দী হৈ ৰব লগা হৈছিল এই অপমানটোব, বজাব আদেশ অমান্য নকবাকৈ—প্রতিশোধ লবলৈ যুবৰাজে কৃতসংকল্প হৈ এটা চেলু লৈ থোইবীক মাতি পঠিয়ালে। থোইবীয়ে সেই সময়ত খাম্বাব ধবত খাষাক পতিপাল কবি থকাব নিমিত্তে হঠাতে বাপেকব ওচবলৈ আহিব নোৱাবিলে। এই অপবাধতে যুবৰাজে তেওঁব পত্নীসকলক শুনাই কলে যে "এনেকুবা জীয়াবীজনী জীয়াই থকাতকৈ মবাই ভাল। সেই দেখি তাইক মেতিয়াই নিজে প্রাণে মাৰিব নোৱাৰো—তেতিয়াই তাইক মই কুবৰ নগাক বেছি পেলাম।" এই বুলি কৈ তেওঁ তেওঁব প্রধান লিগিবা হানজাবাক মাতি আনি কলে—"হানজাবা! মোব এই অনিষ্টকাবী জীজনীক তামৰুকলৈ লৈ গৈ কুব নগাত বেছি খৈ আহিব লাগে।" বাপেকব এই আদেশ শুনি থোইবীয়ে খাষাক আকৌ লগ ধবি সেই দিনাই কলে—"প্রিয়তম! মই পিতৃ-আজ্ঞা অনুসবি কুবলৈ যাব লগাত পবিলোঁ। মোক নাপাহিবা, মই নিশ্চয় উলটি আহিব পাৰিম।"

পিছদিনা বাতিপুৱা থোইবীক লৈ যাবলৈ হানজাবা আহিলত থোইবীয়ে মাক-বাপেক উভয়কে সেৱা কবি পাবেমানে কান্দিলে। মাকে আক থোইবীব সখীয়েক সকলেও থোইবীব গলত ধবি কান্দিলে। ইয়াব পিছত হানজাবাই থোইবীক তেওঁব আয়-অলঙ্কাবে সৈতে তামৰুকলৈ নিব ধবিলে। খাষাই বাটতে খাপ পিতি থোইবীক লগ ধবি থোইবীব হাতত তেওঁব মবমব চিন্ স্বৰূপে লাখুটি এডাল দিলে। থোইবীয়ে সেই লাখুটিডাল লগত নিনি বাটব দাতিত পুতি কলে—"প্রিয়তম! মই যদি সতী হওঁ আক তোমাবো যদি মোলৈ প্রকৃত মবম আছে তেন্তে এই গোজডালেই গছ হৈ ফলে-ফুলে ভবি পবিব।" আলিব দাতিত মই এই শিলটোতো চিন এটা এবিলোঁ।" ইত্যাদি কথা কৈ খাষাক প্রবোধ দি হানজাবাব লগত কুব পালেগৈ। কৃবত হানজাবাই তামৰুকপাই নামব নগা চন্দ্রাবজনব ঘবলৈ গৈ যুবৰাজে কৈ পঠোৱা কথা কৈ থোইবীক খাষাই দি থোইবীব মূল্য সোণ-ৰূপ গণি-পিতি লৈ হানজাবা ওচি আহিল।

তামৰুকপাই পোন-প্রসমতে থোইবীব মুখ দেখি মবম লাগি তেওঁক বিশেষ একো বন-বানি কবিব দিয়া নাছিল। কিন্তু সংসাবত জাতিব শত্রু জাতিয়েই আক তিবোতাব শত্রু তিবোতাযেই। তামৰুকপাব ঘবব মাইকীসকলে থোইবীয়ে বহি থোৱাটো দেখিব নোৱাবি পাবেমানে তামৰুকপাক নিন্দা আক খেজাগত কবিব ধ্বাত আক থোইবীকো কথাইপতি কেটেবা-জেডেবা কবাত অৱশেষত তামৰুকপাই থোইবীক মাছ মবা, ধবি লোবা ইত্যাদি হীন কামবিলাকত লগাব ধবিলে। থোইবীয়ে নিজব কপালকে দোষি, আক দুদহতে খাংজিং দেৱতাত ভক্তি বাখি সেই হীন কামবিলাককো টোচ্ নকবি কবিব ধবিলে।

দুখুনীব দুখত আক ভূতিত খাংজিং দেৱতা খিবেবে বব নোৱাবি এনিশা থোইবীক সপোন দেখুৱালে যে থোইবী যেন নিজব দেশতে খাষাব ঘবতে সুখে আছে। তাত যেন খাংজিং দেৱতাই থোইবীক কৈছে—"বাছা!

মই তোৰ ভাল কৰিছোঁ—তই বুজিব পৰা নাই নে ?" এনেতে খোইবীয়ে সাৰ পাই দেখে যে তেওঁ তামকৰব ঘৰতেই আছে। তেওঁ মাথোন সপোন হে দেখিছিল।

পিছদিনা বাতিপুৱা খোইবী শুই উঠি কাম-কাজলৈ যোৱাৰ আগেয়ে থাংজিং দেৱতাৰ অনুগ্ৰহতে তামকৰপাই কলে—"খোইবী ! তুমি মাছ মাৰিব খবি লুবি অন্ততে দুখ পাইছা, নহয় নে ? বাক আজিব পৰা তুমি সেইবিলাক কাম কৰিব নালাগিব। তুমি মোৰ জীয়ৰী চাংনিং আইদেউৰ সৈতে একেলগে কাপোৰ বৰা।"

তামকৰপাৰ এই আদেশ অনুসৰি সেই দিনবেপৰা খোইবীয়ে চাংনিঙৰ লগত ওচৰা-উচৰি কৰি বহি কাপোৰ বৰ ধৰিলে। এদিন কাপোৰ বই থাকোঁতে আন আন কথাৰ লগত চাংনিঙে কলে—"খোইবী ! তুমি তোমাৰ পিতৃৰ আজ্ঞা মতে কোংয়াখাৰৈলে যোৱা হলে তোমাৰ এনেকুৱা দুখ নহল হেতেন। তুমি কোংয়াখাৰৈলে যাব লাগিছিল।" খোইবীয়ে কলে—"চাংনিঙা ! মনে যাক ভাল পায় তাৰৈলে যাব পাৰোঁ। মন আগেয়ে যাক দিছোঁ সেইজনক হে ভাল পাব পাৰোঁ। কোংয়েখাৰ ঘৰত থকাতকৈ তোমালোকৰ ইয়াতেই মই সুখেৰে আছো।" খোইবীৰ এই কথাত বাধ্য হৈ চাংনিঙা মনে মনে থাকিল—কিয়নো তিকতাই হে তিকতাৰ মনৰ আলা-যন্ত্ৰণা বঢ়িয়াকৈ বুজে। এইদৰে কথাৰ-বতৰাত তামকৰপাৰ ঘৰত খোইবীৰ দিন যাবলৈ ধৰিলে। খোইবীৰ কাপোৰখান বোৱাত ভাল হোৱা দেখি আৰু খোইবীক তামকৰপাই কাজে-কামে শলাগা দেখি চাংনিঙৰ মনত হিংসাভাব উঠিল। চাংনিঙে মনে মনে এটা কেটেলা পহৰ কাঁইটেৰে খোইবীয়ে বোৱা কাপোৰ-খানত মাজে মাজে ফুটা কৰি দিলে। কিন্তু খোইবীয়ে সেই বিষ্কাৰোৱা এনে সুন্দৰে মাৰিলে যে তামকৰপাই সেই কাপোৰখানকহে বেছি ভাল বুলিলে।

মানুহৰ দুখ সদায় নাথাকে। কাৰো দিনকাল সমানে নাযায়। সুখ-দুখ ভাই-ভাই অনিত্য—আহে আৰু যায়। খোইবীৰ সুখ দেখি তেওঁলোকৰ ইষ্ট দেৱতা থাংজিঙৰ খোইবীলৈ মৰম লাগি তেওঁৰ পিতৃ যুবৰাজৰ মনত খুন্দিয়াই খোইবীলৈ মনত পেলাই দিলে। তেতিয়া যুবৰাজে খোইবীক ওলটাই আনিবলৈ মানুহ পঠিয়াই দিলে। কোংয়েখাক মতাই আনি কলে সি যেন খোইবীক আৰ-বাটেবে পৰা আগবঢ়াই তাক ঘৰলৈ লৈ আহে। এই পৰামর্শ অনুসৰি কোংয়েখাই লগত এখান দোলা লৈ নিজে ঘোৰা এটাত উঠি খোইবীক আগবাঢ়ি আনিবলৈ গল। খোইবী সিফালৰ পৰা মানুহে-দুহুৰে সৈতে আহি কোংয়াখাক লগ পাই কোংয়াখাৰ বদ মতলবটো বুজি কলে যে তেওঁ যোৱাত যাব নোখোজে। তেওঁ ভালেমান দিন বন্দী হৈ থকা বাবে মুকলি বতাহ পোৱা নাছিল আৰু এতিয়া দোলাত কুঁচি-মুচি চেপা থাই গলে তেওঁৰ বেমাৰ হব। সেইদেখি তেওঁ বৰং খোজকাঢ়িয়ে আহিব। খোজ কাঢ়োঁতে তেওঁৰ ভাগৰ আৰু দুখ লাগিব বুলি ভাবি আৰু তেওঁক সন্তোষ দিবৰ মনেবে কোংয়াখাই কলে যে যদি তেওঁ ভাল পায় তেন্তে তেওঁ (খোইবীয়ে) ঘোৰাটোত উঠি লাহে লাহে আহিব পাবে, তেওঁ (কোংয়াখাই) দোলাত উঠি পাছে পাছে যাব। কোংয়াখাৰ এই প্ৰস্তাবত খোইবীয়ে তথা-কিকে সন্মত হৈ একেলাকে ঘোৰাৰ পিঠিত উঠিল আৰু লাহেকৈ ঘোৰাটোক কোংয়াখাই বুজিব নোৱাৰাকৈ অলপ টিপ দিয়া মাত্ৰকে ঘোৰাটোৱে বিষাখৰদে চেহুৰি খোইবীক আনি খাখাৰ ঘৰ পোৱালে। ঘোৰাও মণিপুৰী আৰু খোইবীও ক্ষত্ৰিয় মণিপুৰীয়া বাজকুঁৱৰীহে। খোইবীৰ এই কাণ্ড দেখি কোংয়াখাৰ বৰ খং উঠিল আৰু সি গৈ বজাৰ মন্ত্ৰীসকলত খোইবীৰ এই কাম জনাই বিষাদ প্ৰাৰ্থনা কৰিলে। গংলেন আৰু নোংথলবাই খাখা আৰু খোইবীক পহৰা দি বাখি পিছদিনা উভয়কে লৈ গৈ বজাৰ দৰবাৰত বিচাৰৰ নিমিত্তে শোধালে। বজা আৰু দৰবাৰে খাখা আৰু কোংয়াখাক যাঠিবে কৰা পৰীক্ষাটো দিবৰে আদেশ কৰিলে। দুয়ো পৰীক্ষা দিবলৈ আগবাঢ়ি ধৰেঁাতে হঠাতে ক'ৰবাৰ পৰা বুঢ়ী এজনী লাখুটি ধৰি আহি জনালে যে ওচৰতে এটা বাঘে গাৰঁত বৰ উৎপাত কৰিছে। বুঢ়ীৰ এই কথা শুনি বজাই আৰু দৰবাৰে তৎক্ষণাৎ আদেশ কৰিলে যে সিহঁত দুইবো ভিতৰত যেয়ে বাঘটো মাৰিব সেয়ে খোইবীক পাব। বজাৰ এই আদেশ হোৱাত বজা-

ঘৰীয়া জালুৱা আৰু যাঠি ধৰা সকলে জালেৰে বাঘটো বেঢ়ি দিলে। তেতিয়া কোংয়াখা আৰু খাখা দুয়ো জালৰ ভিতৰত সোমাই বাঘটোক যাঠিবে খুচিবলৈ আগবাঢ়ি গল। বাঘে যাঠি মাৰিবলৈ নৌপাওঁতেই একেজাপে কোংয়াখাৰ গলত ধৰি নেলু ভাঙি তেজ পি পেলালে ; খাখাই সেই ছেগতে বাঘটোক যাঠিবে ভালকৈ ঘাইল কৰাত বাঘটো হাৰিব বাজত সোমালগৈ। সেই ছেগতে খাখাই কোংয়াখাৰ মৰা শটো ডাঙি নি জালৰ বাহিৰত নি কোংয়াখাৰ বুঢ়া বাপেকৰ আগত থলে। তেতিয়া খংলেনে ঠাট্টা কৰি খাখাক কলে, "জালৰ ভিতৰৰ পৰা ওলাই আহিলি, ভয় লাগিল নেকি ?" খাখাই কলে, "ভয় লগা নাই। চাই থাওক মই বাঘ মাৰি হে এৰিম।" এই বুলি কৈ খাখা আকৌ গৈ জালৰ ভিতৰত সোমাই বাঘক গৈ বিচাৰি উলিয়ালে। বাঘে খাখাক দেখিয়েই মুখ মেলি খাখাৰ গালৈ জাঁপ মৰাত খাখায়ো লগে লগে এটা পিছ জাপ মাৰি যাঠিপাত বাঘৰ মুখত সুমাই দিলে। যাঠি মুখেৰে সোমাই তালু ফুটি মুবেৰে ওলাল, বাঘো সেই ঠাইতে মৰি পৰিল।

সদায় খাখাক হিংসা কৰাৰ প্ৰতিফল কোংয়াখাই পালে। খাখাৰ সাহস, বিক্ৰমত, বলত বজা সন্তুষ্ট হৈ খাখাক নানা বৰম বস্ত্ৰ দিলে। মাটি-বুদ্ধি, বাজদৰবাৰলৈ যাৰ পৰা মূল্যবান পোষাক, লোণপুত্তৰ অধিকাৰ এই সমস্তকে দিলে আৰু তেওঁক পুথবাম্বা নামৰ বিষয়খান দি খোইবীকো তেওঁলৈ বিয়া দিব লাগে বুলি যুবৰাজক আদেশ কৰিলে। কোংয়াখাৰ মৰণ মিলাত যুবৰাজেও আৰু আপত্তি নকৰি আনন্দ মনেবে খোইবীক খাখালৈ বিয়া দিলে। সেই বিয়াত বজা, যুবৰাজ আৰু আন আন সকলোবিলাক বিষয়া উপস্থিত হৈ দৰা-কইনা হালকে সোণ, ৰূপ, অলঙ্কাৰ, ফুল ইত্যাদি পুৰস্কাৰ দিলে। নানা দুখ-কষ্ট সহি নিজৰ বল, বীৰ্য্য, তেজস্বিতা, সংস্কাৰ, বাজভক্তি ইত্যাদিৰ বাবেই খাখা শেহত সুখী হল। এইবিলাক সদ্‌গুণেবে বিভূষিত হবলৈ কথা যিহেতু খাখা আছিল মহাদেৱৰ (লাঙোন) আৰু খোইবী আছিল পার্ব্বতীৰ লাঙোন। মণিপুৰী ভাষাত আছে "খাখা হাইবা অচু মহাদেবগি লাঙোন, খোইবী হাইবা অমী পার্ব্বতীগি লাঙোন নি।"

খাখা-খোইবী সুখী হল। মণিপুৰী ভাষাৰ সাধু-কথাটোত আছে যে এনিশা খাখাই খোইবীৰ সতীত্ব পৰীক্ষা কৰিবলৈ ছগাং নিশা মনে মনে ওলাই গৈ যাঠি এপাতেবে খোইবীয়ে শোৱা পিনে বেৰাত লাহে লাহে খুচিছিল খোইবীয়ে আন কোনবাই তেওঁক জোকাইছে বুলি খঙতে বৰ চোকা তৰোৱাল এখানৰ আগটো সেই ফুটাটোৰেদি বলেবে সুমাই দিলে। সেই আগটো খাখাৰ অসাৱধানতাত পেটেবে সোমাল। "আই ঐ মবিলোঁ ঐ" বুলি খাখা ঢলি পৰিল। চিক্কৰ শুনি খোইবীয়ে ওলাই আহি যে দেখে সর্ব্বনাশ ঘটিছে। তেওঁৰ তৰোৱালখান খাখাৰ পেটেদি সোমাই পিটিয়েদি ওলাইছে আৰু খাখা মাটিত পৰি আছে। তেতিয়া খোইবীয়ে বিনাই বিনাই কান্দি হুৱা-হুৱা লগালে। যথাসময়ত মানুহে খাখাৰ শবটো শ্মশানলৈ নি চিতা সাজি তলত জুই দিলে। জুই অলি থাকোতেই কেৱে আগচি ধৰিবলৈ নৌ-পাওঁতেই খোইবী লৰি গৈ সেই চিতাত জাঁপ দি পৰি খাখাই সৈতে একেলগে ভস্ম হল। স্বৰ্গৰ দেৱদেবী শীঘ্ৰে স্বৰ্গলৈকে গল। তেওঁলোকৰ কোনো সন্তানাদি হোৱা নাছিল।

(অন্ত)

স্বৰ্গতত্ত্ব আৰু নৰক-তত্ত্ব বা যাম্যলীলা

(২)

—শ্ৰীযুত পদ্মেশ্বৰ গগৈ, বি-এ

অতিশয় স্বাস্থ্যকৰ হোৱাৰ কাৰণে বেদত স্বৰ্গভূমিৰ এটা নাম "অমৃত" বুলি আছে, যেনে—"শৃণ্বন্তু বিশ্বে অমৃতস্য পুত্ৰাঃ"। হে অমৃতবাসীসকল! তোমালোকে শুনা। এই অমৃতভূমিৰূপ স্বৰ্গৰ বিষয়ে ছান্দোগ্য উপনিষদৰ তৃতীয় অধ্যায়ৰ ১০ম খণ্ডত বিশদৰূপে লিখা আছে। তাত লিখা আছে যে, তিব্বতৰ পৰা সুদূৰ উত্তৰত থকা উত্তৰ ছাইবেৰিয়া পৰ্য্যন্ত ঠাইবিলাক পাঁচখন অমৃতভূমি (অৰ্থাৎ অতিশয় স্বাস্থ্যকৰ ঠাই বা Sanitorium) স্বৰূপে বিভক্ত, আৰু সেইবিলাকত অগ্নি আদি দেৱতাবিলাক অধিপতি আছিল। তাৰ প্ৰথমখন অমৃতভূমিৰ নাম (১) তিব্বত আৰু তাৰ নেতা আছিল অগ্নি আৰু পঞ্চমখন অমৃতভূমি সুদূৰ উত্তৰৰ (৫) উত্তৰকুৰু নামে পৰিগণিত আছিল। তাৰ মাজত (২) তাতাৰ, (৩) মঙ্গোলিয়া আৰু (৪) দক্ষিণ ছাইবেৰিয়া। উত্তৰ কুৰুৰ অধিনায়ক সুৰজ্যেষ্ঠ শ্ৰেষ্ঠ আদিত্য ব্ৰহ্মা। ব্ৰহ্মাৰ নেতৃত্বত সাধ্যাদি দেৱতাবিলাক তাত বাস কৰিছিল গতিকে এই পঞ্চম অমৃতভূমি ব্ৰহ্মলোক নামে অভিহিত হৈছিল। গতিকে ই ভৌম, কদাপি আকাশস্থ নহয় বা হব নোৱাৰে।

(ক) "অথ যৎ পঞ্চমামৃতং তৎসাধ্যা উপজীবন্তি ব্ৰহ্মণা সুখেন।"—ছান্দোগ্য উপনিষদ্

(খ) "অগ্নের্বয়ং মসামহে চাৰু দেবস্য নাম প্ৰথমস্য অমৃতানাং।"—ঋক্‌বেদ্

[(গ) তিব্বত অমৃতভূমিৰ নেতা (Superintendent) অগ্নি ভাৰতলৈ গুচি আহিলত তেওঁৰ কাৰ্য্য শিৱই কৰিছিল, সেই গতিকে শিৱৰ আন এটা নাম অগ্নি, আৰু পুতেক কাৰ্ত্তিকৰ নাম অগ্নিভূ।]

কৌষিতকী ব্ৰাহ্মণোপনিষদত লিখা আছে যে গাৰ্গ্যপুত্ৰ চিত্ৰই যজ্ঞ কৰিবৰ অৰ্থে এখন গুপ্ত স্বাস্থ্যকৰ ঠাইৰ বিষয়ে জানিবৰ নিমিত্তে তেওঁৰ পুৰোহিত ঋষি আৰুণি আৰু আৰুণিৰ পুতেক শ্বেতকেতুক সুধিলে, প্ৰভু! আপোনালোকে এনে এখন ঠাইৰ নাম জানে নে? কিন্তু পুৰোহিত আৰু তেওঁৰ পুতেকৰ মুখে একো উত্তৰ নাপাই চিত্ৰই নিজে নিজে ভাবি ব্ৰহ্মলোককে অভিপ্সীত স্থান বুলি তালৈ যাবলৈ এইদৰে পথ নিৰ্দ্দেশ কৰিছিল, "ব্ৰহ্মলোকলৈ যাবলৈ হলে দেৱযান পথেদি অগ্নিলোক, বায়ুলোক, বৰুণলোক, আদিত্যলোক আৰু চন্দ্ৰলোক প্ৰভৃতি অতিক্ৰম কৰি যাব লাগিব আৰু বাটত আৰহ্ৰদ (অৰ্থাৎ আৰল হ্ৰদ) আৰু বিৰজা নৈ (বৈতৰণী নৈ) পাৰ হব লাগিব।" যেনে :—"চিত্ৰোঽব্যৈ গাৰ্গ্যোয়ণিৰ্বহ্মমান আৰুণিং বব্ৰে ম হ পুত্ৰং শ্বেতকেতুং প্ৰজিঘায় যাজয়েতি **। স (চিত্ৰো) এতং দেবযানং পন্থানমাপদ্যাগ্নিলোকমাগচ্ছসি স বায়ুলোকং স বৰুণলোকং স আদিত্যলোকং স ইন্দ্ৰলোকং স প্ৰজাপতিলোকং স ব্ৰহ্মলোকং তস্যহ বা এতস্য ব্ৰহ্মলোকস্যাৰোহ্ৰদো মুহূৰ্ত্তা যেষ্টিহা বিৰাজানদীল্যো বৃক্ষঃ ইত্যাদ্যাঃ।"

—কৌষিতকী ব্ৰাহ্মণোপনিষদ, ১ অঃ, ১-৩মন্ত্ৰ

এই ব্ৰহ্মলোক বা উত্তৰ ছাইবেৰিয়াৰ কিঞ্চিৎ দক্ষিণে হিৰণ্ময়বৰ্ষ বা তপোলোক। এইখন কশ্যপৰ আন এটা পুত্ৰ ব্ৰহ্মাৰ সহোদৰ ভ্ৰাতৃ সূৰ্য্য বা আদিত্যৰ ৰাজ্য আছিল। ঋক্‌বেদত লিখা আছে যে সুৰজ্যেষ্ঠ ব্ৰহ্মাই তেওঁৰ সহোদৰ সূৰ্য্যক অহঃ জনপদ আৰু ৰাত্ৰি জনপদত, আৰু চন্দ্ৰক সংবৎসৰ নামৰ জনপদত অধিনায়কৰূপে অভিষিক্ত কৰিছিল। প্ৰশ্নোপনিষদতো লিখা আছে যে এই তপোলোক বা হিৰণ্ময়বৰ্ষত মনুষ্য দেৱতা সূৰ্য্যৰ দুখন জনপদ আছিল। এখনৰ নাম অহঃ আৰু আনখনৰ নাম ৰাত্ৰি জনপদ। অহঃ জনপদ অতিশয় স্বাস্থ্যকৰ হেতুকে ইয়াক "ৰয়ি" বোলা হৈছিল।

"অহৰাত্ৰো বৈ প্ৰজাপতিঃ। তস্য অহৰেব প্ৰাণঃ ৰাত্ৰিৰেব ৰয়ি।"—প্ৰশ্নোপনিষদ

ঐতৰেয় ব্ৰাহ্মণতো সেই মতকে দিয়া আছে বুলি ধৰিব পাৰি, যেনে—"অহৰ্বৈদেবা অশ্ৰয়ন্ত ৰাত্ৰীমসুৰাঃ" অৰ্থাৎ সদায় যুদ্ধ-বিগ্ৰহ চলি থকা দেৱাসুৰৰ ভিতৰত দেৱতাবিলাকে অহৰ্লোকত আৰু অসুৰবিলাকে ৰাত্ৰিলোকত আশ্ৰয় কৰিছিল। কোৱা বাহুল্য যে, উত্তৰ আৰু দক্ষিণ মহাসাগৰৰ গৰ্ভৰ পৰা দ্যাবা বা মঙ্গোলিয়া আৰু ভাৰতবৰ্ষ উত্থান হোৱাৰ বহুত দিনৰ পিছতহে এই জনপদ দুখন উত্তৰ মহাসমুদ্ৰৰ গৰ্ভৰ পৰা ওলাইছে। বায়ুপুৰাণত লিখা আছে যে কশ্যপৰ পুত্ৰ মনুষ্য দেৱতা সূৰ্য্যই তেওঁৰ জনপদ দুখন পৰিদৰ্শন কৰিবৰ কাৰণে প্ৰত্যেক মাহেই ৰাজধানীৰ পৰা ওলাই গৈছিল, যেনে—

"তত্ৰাদিত্যস্য দেবস্য দীপ্তায়তনম্ মহৎ
মাসে মাসে অবতৰতি তত্ৰ সূৰ্য্য প্ৰজাপতিঃ"

—বায়ুপুৰাণ

এই জনপদ দুখনৰ সমষ্টিয়েই সূৰ্য্যলোক বা আদিত্য লোক নামে প্ৰখ্যাত। এয়েই নৰসূৰ্য্যৰ ৰাজ্য, আৰু ইয়াৰ বিষয়ে বেদত ঐতৰেয় ব্ৰাহ্মণত বিশদৰূপে বৰ্ণিত আছে।

প্ৰশ্নোপনিষদত আকৌ লিখা আছে যে সেই সময়ত অনেকে ব্ৰহ্মচৰ্য্যাদি ব্ৰত পালন কৰি বেদাধ্যয়ন, তীৰ্থবাস আৰু আত্মোৎকৰ্ষৰ অৰ্থে, মুঠতে ব্ৰহ্মবিদ্যা লাভ কৰিবৰ নিমিত্তে এই আদিত্যলোকলৈ গমন কৰিছিল। যেনে—অথ উত্তৰেণ ব্ৰহ্মচৰ্য্যেন শ্ৰদ্ধয়া বিদ্যয়া আত্মানং অন্বিষ্য আদিত্যং অভিজয়ন্তে"—প্ৰশ্নোপনিষদ

বিদ্যাদি গুণত অতি উত্তম আছিল হেতুকে এই লোক অহৰ্লোক নামে জনাজাত। আজিকালি বৃদ্ধ বয়সত মানুহে যেনেকৈ কাশী আদি ঠাইলৈ তীৰ্থযাত্ৰা কৰে সেইদৰে ব্ৰহ্মবিদ্যাদি লাভ কৰিবৰ উদ্দেশ্যে সকলোৱেই প্ৰাচীন প্ৰথানুসাৰে সেই ঠাইলৈ গৈছিল। অথৰ্ব্ব বেদতো তীৰ্থাদিৰ অভিপ্ৰায়ে লোক লোকান্তৰলৈ যোৱাৰ কথা আমি পাওঁ। যেনে, "ব্ৰহ্মচাৰী এতি সমিধা সমিদ্ধঃ কাৰ্ষ্ণ্যং বসনো দীক্ষিত দীৰ্ঘশ্মশ্ৰুঃসসদ্য এতি পূৰ্ব্বস্মাৎ উত্তৰং সমুদ্ৰং ইত্যাদ্যাঃ" (অথৰ্ব্ববেদ)। অৰ্থাৎ কৃষ্ণবসন পৰিহিত দীৰ্ঘশ্মশ্ৰু দীক্ষিত সমিৎপাণি ব্ৰহ্মচাৰী পূৰ্ব্ব সমুদ্ৰৰ অৰ্থাৎ পূৰ্ব্ব উপদ্বীপ আৰু চীনাদি দেশৰ পৰা উত্তৰ সমুদ্ৰ বা উত্তৰকুৰু বা ব্ৰহ্মলোকলৈ গমন কৰিছিল।

বেদব্যাখ্যাতা আচাৰ্য্য যাস্কয়ো তেওঁৰ নিৰুক্ত গ্ৰন্থত জড়সূৰ্য্য আৰু নৰসূৰ্য্যৰ মাজত যি গোলযোগ লাগিছে তাক গুচাবলৈ চেষ্টা কৰি এইদৰে লিখিছে :—"আদত্তে ৰসান্ আদীপ্তো ভাসা ইতি বা। অদিতেঃ পুত্ৰ ইতি বা অল্প প্ৰয়োগঃ।" অৰ্থাৎ আকাশত থকা জড়সূৰ্য্য পৃথিবী আদিৰ পৰা ৰস আকৰ্ষণ কৰি স্বয়ং ৰশ্মিৰ দ্বাৰা দীপ্ত হৈ থকাৰ হেতুকে জড়সূৰ্য্যৰ নাম আদিত্য; এইটো সাধাৰণ প্ৰয়োগ। কিন্তু জড়সূৰ্য্য আদিত্যৰ পুত্ৰ এই বুলি অতি কম প্ৰয়োগহে দেখা যায়, নাই বুলিলেই হয়। এই অল্প প্ৰয়োগ কৰা বাবেই সকলো গোলযোগ ঘটি উঠিছে। জড়সূৰ্য্যৰ "আদিত্য" আৰু "কাশ্যপেয়" আখ্যা পুৰাণ আৰু তন্ত্ৰকাৰসকলে কোনো কাৰণত নৰসূৰ্য্যক পাহৰি যোৱাৰ পৰা হৈছে।

কিন্তু "কশ্যপ" শব্দই ব্ৰহ্মক বুজালে নৰসূৰ্য্য আৰু জড়সূৰ্য্য উভয়কে "কাশ্যপেয়" বুলিব পৰা যায়, কিয়নো সকলোৱেই ব্ৰহ্মাৰ সৃষ্ট জীৱ, যেনে—"কাশ্যপেয়ং ইমা প্ৰজাঃ।" বাস্তৱতে পতঞ্জলীয়ে লিখা ব্যাকৰণ মহাভাষ্যৰ "হয় বৰুট্" এই সূত্ৰানুসাৰে আদ্যন্ত বিপৰ্য্যয়ৰ দ্বাৰা অৰ্থাৎ "পশ্যক" (পশ্যকব্ৰহ্মা) শব্দৰ আদি আৰু অন্ত আখৰ বিপৰ্য্যয় কৰি "কশ্যপ" শব্দ নিষ্পন্ন হৈছে, গতিকে "কশ্যপঃ" কস্মাৎ পশ্যকো ভবতীতি" (নিৰুক্ত)। এই হিচাপে কশ্যপ শব্দই ব্ৰহ্মাক বুজায়।

বায়ুপুৰাণত হলে স্পষ্টকৈ লিখিছে যে অদিতি পুত্ৰ এই নৰসূৰ্য্য আদিত্যই পূৰ্ব্বে এসময়ত ইলাবৃতবৰ্ষত ৰাজত্ব কৰিছিল।

"অসৌ আদিত্যঃ অস্মিন্ লোকে আসীৎ।" (বায়ুপুৰাণ) অস্মিন্‌লোকে অৰ্থাৎ ইলাবৃতবৰ্ষত বা মঙ্গোলিয়াত, এই "ইল" বা ইলাবৃত স্বৰ্গৰ পৰাই গ্ৰীকবিলাকৰ স্বৰ্গৰ নাম হৈছে, 'Elysium'; বেদত কৈছে দেৱতাবিলাকে পিছত এই আদিত্যক ব্ৰহ্মাৰ তৃতীয় ব্ৰহ্মলোক উত্তৰ কুৰুলৈ লৈ যায়। যেনে :—"তং দেবাঃ পৃষ্ঠে পৰিগৃহ্য সুবৰ্ণং লোকং অগময়ন্"

[তং-আদিত্যং ; সুবর্ণলোকং-উত্তৰ কুৰু] (কৃষ্ণযজু)। এই নৰসূৰ্য্যই সামবেদ সমাহাৰ কৰিছিল, যেনে :—"সূৰ্য্যাৎ সামবেদ"। পুৰাণাদিতো এইদৰে লিখা আছে যে তুষাৰপাত-জনিত হিমপ্ৰলয় উপস্থিত হোৱাত ব্ৰহ্মলোকবাসী বহুত মানুহে বহুত বাৰ নিজ স্থান পৰিত্যাগ কৰি ওচৰত থকা এই নৰসূৰ্য্যৰ ৰাজ্যত বা আদিত্যলোকত আহি আশ্ৰয় লৈছিল। যেনে—

ব্ৰহ্মলোকচ্যুতাঃ সৰ্ব্বে সৰ্ব্বেষু সাধবঃ।
ৰক্ষণাৰ্থং তু ভূতানাং প্ৰবিশন্তি দিবাকৰম্॥"

—মহাভাৰত, ভীষ্মপৰ্ব্ব, ৩২-৭

বিষ্ণুপুৰাণতো স্পষ্টকৈ কৈছে, 'হে মৈত্ৰেয়, মহাৰাজ উত্তানপাদৰ পুত্ৰ ধ্ৰুৱ তপস্যাৰ নিমিত্তে এই ব্ৰহ্মলোকত থাকোতে তাতে ভূতসংপ্লৱ বা হিমপ্ৰলয় হোৱাত তেওঁ ধ্বংসপ্ৰাপ্ত হয়। যেনে—

"যাবন্মাত্ৰে প্ৰদেশে তু মৈত্ৰেয় অবস্থিতো ধ্ৰুৱঃ।
ক্ষয়মায়াতি তাবৎ তু ভূমেৰাভূত সংপ্লবে॥"

(বিষ্ণুপুৰাণ)

"ভূত সংপ্লবৰূপ যঃ অন্তঃ প্ৰলয়ঃ তৎ পৰ্য্যন্তম্।"

—শ্ৰীধৰ স্বামীৰ টীকা

'ভালপোৱা সি যে হায় জীৱনৰ তৃষা যৌৱনৰ সঙ্গীতত উঠিছিল জ্বলি'

গল্প— —শ্ৰীৰমাপতি

গধূলি কাম-কাজৰ পৰা উভতি আহি কোনো বন্ধুৰ ঘৰত আড্ডা মৰাত বেছ এটা আমোদ আছে। আমি চাৰিজন বন্ধুও মিলিছিলোঁ বেছ। আটাইকেজনে গধূলি অফিচ, কাছাৰী আদিৰ পৰা কাম-কাজ কৰি আহি ঘৰত চাহ-জলপান খাই উঠি হাইস্কুলৰ মাষ্টৰ বংশীৰাম বৰুৱাৰ ঘৰত বহি আড্ডা দিয়াটো আমাৰ আছিল এটা দৈনন্দিন কাম। আমাৰ আড্ডাত ৰাজনীতি, সমাজনীতি, লোকৰ দোষ-গুণ চৰ্চ্চা কৰাই প্ৰধান কাম আছিল। তাৰ উপৰি আছিল—তাছ, ডাবা, চাহ আৰু ধপাত।

আমাৰ ভিতৰত মই আছিলোঁ আটাইতকৈ এলেহুৱা, সকলো কামকেই পিছ পেলাই থোৱা আৰু বেছিভাগ কাম আনৰ হতুৱাই কৰাই লোৱা দোষ বা গুণটো মোৰ আছিল। বংশী আছিল আটাইতকৈ ধেমেলীয়া। হেম গহীন নহলেও অলপ দাৰ্শনিক বিধৰ আছিল। আৰু নৰেন আছিল বৰ ভাবপ্ৰৱণ। সি ভাল পাইছিল ডাবা খেলিবলৈ। কেতিয়াবা কেতিয়াবা 'ষ্টেটছ্‌মেন'ত ওলোৱা ডাবা খেলৰ সমস্যাবোৰ লৈ মূৰ ঘমাই বহি থকাও তেওঁক দেখা গৈছিল। আমাৰ ভিতৰত ময়ে আছিলোঁ অবিবাহিত।

সিদিনা ৰবিবাৰ। আনদিনাৰ দৰে আজিও চাৰি বন্ধু লগ লাগিছোঁহি। আজি স্কুল, অফিচ আদি নাই দেখি আনদিনাতকৈ সোনকালে আহি লগ লাগিছিলোঁ। সিদিনা তাচ চলা নাছিল, চলিছিল গল্প। হেমই মোৰ পিনে চাই কলে,—বুজিছা হৰেন, প্ৰত্যেক বস্তুৰে একোটা ইতিহাস আছে। এই দোৱাতদানিটো, এই কলমডাল, সৌ মেতৰটো, সেই ধুবুনীটো, তোমাৰ, মোৰ আদি আটাইৰে একোটা স্বকীয় ইতিহাস আছে। কোনো কোনো ক্ষেত্ৰত এই ইতিহাসবোৰ শুনিবলৈ একোটা

গল্পৰ নিচিনা, আকৌ কোনো কোনো ক্ষেত্ৰত এই কথা-বোৰ ইমান আচৰিত আৰু ঘটনাবহুল যে তাক তুমি গল্প বুলিও কব নোৱাৰা, আৰু সঁচা ঘটনাটোক সঁচা বুলি মানি লবলৈকো মন কোঁচ খাই যায়।

মই একো নামাতিলোঁ, মাথোন গহীন হৈ কলোঁ—হুঁ। বংশীয়ে হেমক কলে, বাৰু অধ্যাপক, এতিয়া তোমাৰ দৰ্শন থোৱা। অলপ পাতল কথালৈ আহা।

নৰেনে কলে,—এৰা দেও, এতিয়া ইমান গধুৰ কথা-বোৰ ভাল নালাগে।

মই একো নামাতিলোঁ ;—কিবাবোৰ ভাব মনলৈ আহি থিতাপি লয়!

বংশীয়ে মাত লগালে, কিহে হৰেন, তুমি দেখোন মনে মনে বহি থাকিলা?

মই কলোঁ—নহয়, মই অথনি হেমই কোৱা কথাটো ভাবিছিলোঁ।

বংশীয়ে কলে—অ' ; মই বোলো কিবাহে।

মই কলোঁ—হেমই কোৱা কথাখিনি শুনি মোৰ অতীত জীৱনৰ ঘটনা এটালৈ ঘপকৰে মনত পৰি গ'ল।···বাৰু গল্প এটা কওঁ, শুনা। ঠিক গল্প বুলিলে ভুল হব, কাৰণ সেইটো মোৰ নিজৰ জীৱনত ঘটা কথা। শুনি হাঁহিলে হাঁহিবা, বিশ্বাস কৰিব নুখুজিলে, নকৰিবা। তোমালোকে সেই কথাটো নাজানা দেখি কব খুজিছোঁ।

* * * *

আজি প্ৰায় দহ, এঘাৰ বছৰ আগৰ কথা। মই সেই বছৰ কলিকতাৰ ছিটি কলেজত বি-এ পঢ়িছোঁ। দেউতাৰ ধন-সম্পত্তি জোখাৰে আছিল। নিয়মমতে পাছ কৰি গৈ থাকিলেও, মই আছিলোঁ বৰ অনিয়মীয়া। প্ৰায়েই ছিনেমা ঘৰবোৰত ছবি চাই ফুৰোঁ। সেই বয়সত কলিকতা হেন ঠাইত মোৰ হাতত বেছিকৈ টকা পৰাৰ বাবে মোৰ কুঅভ্যাস এটাও হৈছিল। মাজে মাজে মদ খাইছিলোঁ। ইংৰাজীত যাক বোলে 'Devil-may-care' বিধৰ ডেকা, মই আছিলোঁ তেনেকুৱা। মোৰ 'ৰুম্‌মেট' শৰতে কেতিয়াবা মদ খাবলৈ হাক দিয়ে, মই হাঁহি উৰাই দিওঁ ;—ৰ'বাহে, কেদিনমান ফুৰ্ত্তি কৰি লওঁ। "I will drink life to the lees."—সি হাঁহে, একো নামাতে। বৰকৈ পঢ়া শুনা নকৰিছিলোঁ। পৰীক্ষাৰ আগতে কেমাহমান দিনে-ৰাতিয়ে পঢ়ি পাছ কৰি যাওঁ। মোৰ অন্তৰখন হেনো আছিল বৰ 'দৰদী', সেইদেখি বন্ধুবান্ধব-বোৰে মোৰ দোষবোৰ দেখিলেও মোক ভাল পাইছিল। দোষে গুণেই মানুহ। মোৰ সংসাৰত আপোন বুলিবলৈ আছিল বিয়া হৈ যোৱা এজনা বাইদেউ আৰু দেউতা। দেউতাৰ বৰ আদৰৰ লৰা আছিলোঁ। যেতিয়া যিমান টকা খোজোঁ, দেউতাই দি দিয়ে। দেউতাৰ ধন অলপ আছিল দেখি ফুটনি মাৰি ফুৰিছিলোঁ। পিছে ধন বস্তুটো সদায় একেদৰে নাথাকে। দেউতাৰ ধনসম্পত্তি প্ৰায় আটাইবোৰ মোৰ দূৰসম্বন্ধীয়া খুৰাদেউ এজনৰ লগত কিবা মাটিৰ লেঠাত পৰি মোকৰ্দ্দমা আদিত খৰচ হৈ গ'ল। সেই বছৰ আমি বি-এ পৰীক্ষা দিছোঁ। পৰীক্ষাৰ খবৰ ওলাবলৈ এমাহমান আছে এনেতে দেউতা ঢুকাল। মোৰ কপালখন আছিল ভাল। বি-এ পাছ কৰিয়েই ইন্সিওৰেন্স কোম্পানী এটাত ৬০৲ টকীয়া কাম এটা পালোঁ। কলিকতাতে থাকি গলোঁ। ঘৰলৈকেই বা কাৰ ওচৰলৈ আহিম!

কামত সোমোৱাৰ পিছত অফিচলৈ ওচৰ হব বুলি বৰবজাৰত সৰু কোঠালী এটা ভাৰা কৰি থাকিবলৈ ললোঁ। ওচৰৰে হোটেল এখনত ভাত-পানী খাওঁ, সেই কোঠালীটোত অফিচৰ পৰা আহি জুৰণি লওঁ আৰু ৰাতি শোওঁ। আজৰি সময়ত ইজিচেয়াৰখনতে বহি নভেল বা মাহেকীয়া আলোচনী পঢ়ি থাকোঁ। কেতিয়াবা কেতিয়াবা গধূলি গঙ্গাৰ পাৰত ঘূৰি ফুৰোঁ,—উদ্দেশ্যহীন-ভাৱে। এইদৰেই মোৰ বৈচিত্ৰ্যহীন নিঃসঙ্গ জীৱন যাপন কৰি আছিলোঁ।

মোৰ এই নিঃসঙ্গ জীৱনত বন্ধু এজনো মিলিছিল বেছ। মোৰ বন্ধুজন আছিল 'জেটি'ত কাম কৰা এটা কুলী। নাম আছিল তাৰ ভজুৱা। গধূলি কাম-কাজৰ পৰা আহৰি পালে, সি আহি মোৰ ঘৰতে বহি কথা পাতি থাকে। গধূলি কত ৰকমৰ কথা বতৰা ভজুৱাই আহি মোৰ লগত পাতে তাৰ সীমা সংখ্যা নাই। এদিন গধূলি

কাগজ এখন পড়ি আছিলোঁ। চেয়াবৰ ওচৰতে বহি ভজুৱাই মাত লগালে,—বাবুজী!

—অ', ভজুৱা, বহ। কিয় জানো, মই ভজুৱাক বৰ মৰম কৰিছিলোঁ। মনে মনে ভাবিছিলোঁ তাক মোৰ লগতে বাখিম। তাৰ সেই অকণমান ভগা পঞ্জা ঘৰটোত ভাবা ভবি থকাতকৈ মোৰ লগতে থাকি কাম কৰিব।

মই কলোঁ,—বাক ভজুৱা, তই পটলবস্তিৰ পবা উঠি আহি আন ভাল এঠাইত নাথাক কিয়?

—ইমান টকা ক'ত পাম বাবু?

—তই নো মাহে কিমান টকা পাৱ?

—সোতৰ টকা। তাবে ঘৰভাবা আৰু দুজনব খোৱাক কোনোমতে চলে।

—অ', তোৰ বৈণীয়েকো আছে নহয়?

সি দুখমনে কলে—নাই বাবু। আজি আঠবছৰ হ'ল তাই মোক এবি থৈ ওচি গৈছে। সি এবাৰ আকাশৰ পিনে চায়।

বাস্তাইদি এটা ফেবিৱালাই চিঞবি যায়,—বামদানাকা লাড়ুৱা—বামদানাকা লাড়ুৱা—

ভজুৱাই অলপ হাঁহি মোৰ মুখলৈ চাই কয়,—মোৰ ছোৱালীজনীয়ে এসময়ত এই বামদানাকা লাড়ুৱা খাবলৈ বৰ ভাল পাইছিল, এতিয়া আৰু খাব নোখোজে।

—অ', তোৰ ছোৱালী এজনীও আছে। আৰু কোন কোন আছে কচোন।

—আৰু কোনো নাই বাবু। ৭ বছৰ বয়সতে কৃষ্ণাক মাউৰা কবি থৈ তাই ওচি গৈছে।—সি আকৌ এবাৰ ওপবলৈ চায়।

—হুঁ—

—কৃষ্ণাৰ আজি পোন্ধৰ বছৰ হ'লহি, তাইক বিয়াবাক কৰাই দিম ভাবি, আজিলৈকে তাইৰ হাতত থাক এজোবকে দিব পবা নাই। আৰু আপুনি কৈছে, বেলেগ এটা ঘৰলৈ উঠি যাবলৈ। ইমান টকা ক'ত পাম বাবু?

……কৃষ্ণায়ে এতিয়া ঘৰৰ সকলো কাম চায়। ভাত কেটা বান্ধি দিয়ে।

তাৰ এটা দুমুনিয়া পবে!

……পিছদিনা গধূলি আন দিনাৰ দৰে ভজুৱা আহি মোৰ ওচৰতে মাটিত বহি কথা আৰম্ভ কবি দিলে। ভজুৱাৰ হাতত নোগৰ থাক এজোৰ দি কলোঁ,—নে ভজুৱা, তোৰ ছোৱালীক দিবি।

—নাই বাবু, মই ইমান ধাৰ শুজিব নোৱাবিম। আপুনি মোক মৰম আদৰ কৰে, সেয়েই বহুত, মোক আৰু একো নালাগে। মোৰ কেতিয়াবা কিবা দবকাৰ হলে মই যে আপোনাৰ ওচৰতেই হাত পাতিমহি! আন কাৰ ওচৰলৈ যাম?……বাবুজী, আমাক 'সব' ডাক্তৰ ডাক্তৰ মানুহে 'ছোটলোক' বুলি ঘিণ কৰে। এই মাৰোৱাৰী 'সব' ইঁহতে আমাৰ লগত কথা কলে কিমান তুচ্ছ-তাচ্ছীল্য কবি কয়, আপুনি তো জানেই। মোক আপুনি মনেকৈ ঘৰৰ ভিতৰলৈ আনি ইমান মৰম আদৰ কবি কথা বলা পাতে আনে তো নকৰে। 'সবে' আমাক ঘিণ কৰে। আপুনি দেৱতা, সেইদেখি সকলোকে মৰম কৰে।

—বাক তোৰ বক্তৃতা থ, এইজোৱ নে।

সি মোৰ কথাবোৰ কাণ নিদি কৈ যাবলৈ ধবিলে,—আচ্ছা বাবুজী, আমি যিমানেই দুখীয়া নহওঁ কিয়, বা সমাজৰ যিমানেই তলথাপৰ নহওঁ কিয়, আমি মানুহে তো! কিন্তু আমাৰ ওপবৱালা সবে আমাক মানুহৰ দবে আচৰণ কবিব দুবত থাওক, আমাক কুকুৰ, মেকুবীতকৈও হীন ব্যৱহাৰ কবে। সিদিনা 'জেট'ৰ পবা বস্তা এটা আনিবলৈ যাওঁতে অলপ পলম হ'ল। ইয়াকে দেখি মেনেজাৰ বাবুৱ উনপঞ্চাশ চবিল,—"কাহে দেবি কিয়া, শুৱাৰকা বাচ্চা।" আমি মানুহ হৈও ইহঁতৰ চকুত 'শুৱাৰকা বাচ্চা।" আমাবো তেজ মাংসৰ শবীৰ। তেজ গবম হয়,—মৰত 'খুন চাপে'। কিন্তু 'সব' গালি অপমান নীবৱে হজম কৰো। নহলে যে পেট নচলে,—কৃষ্ণাক ঘুগাম ক'ব পবা?—সি অলপ পব মনে মনে থাকিল, তাৰ পিছত আকৌ কৈ যাবলৈ ধবিলে;—বাবু, আমি বিচাৰো এবাৰ মিঠা মুখৰ মাত, তাকে পালেই আমি কেটামান টকাৰ বাবে তেজক পানী কবি কবা দুখ কষ্ট সকলো পাহৰি যাওঁ। কিন্তু ইহঁতৰ টকাৰ গবমে অন্তবক শুকাই পেলাইছে। মবম চেনেহৰ ঠাঁই তাত ক'ত!

পিছে বাবুজী, এতিয়া আৰু গান্ধী মহাবাজৰ বাজত্ব আৰম্ভ হৈছে, এতিয়া আমাৰ মন ডাঠ হৈছে। আগেয়ে ওপৰৱালাৰ গালিগালাজ শুনি তাঁহাতক ভয় কবি চলিছিলোঁ, আজিকালি তাঁহাতক ঘৃণা কৰোঁ। আৰু মনে মনে অভিশাপ দিওঁ।

সি ইয়াকে কৈ অলপ পব ৰ'ল।

মই কলোঁ,—বাক, এতিয়া এই থাকজোৱ লৈ ঘৰলৈ যা। বাতিওঁ ভালেখিনি হ'ল, তোৰ মনটোও বৰ চঞ্চল হৈছে। কালিলৈ আহিবি।

সি নিব নোখোজে। অলপ বুজাই কোৱাত, 'আচ্ছা বাবু' বুলি হাত পাতি লৈ ছালাম এটা কৰি ওচি যায়।

মোৰ সেইবোৰ বস্তু দিবলৈ বৰ মন যায়। দিম কাক? মোৰ আপোন বুলিবলৈ কোন আছে? সেই দেখি ভজুৱাৰ ছোৱালীকে দি মনৰ হেপাহ মাৰ নিয়াওঁ।

* * *

মানুহৰ জীৱনত যে কত বকমৰ ঘটনা ঘটে! তাবে কেতবোৰ বিশিষ্ট ঘটনাই মানুহৰ মনত দাঁকৰ ছাব বহুৱাই থৈ যায়। তাক জীৱনৰ শেষ দিনালৈকে মনৰ পবা মচি পেলাব নোৱাবি। মৃত্যুৰ পিছতো জানোচা তাৰ ফলাফল দৰ্শে! এনেকুৱা ঘটনাবোবেই মানুহৰ মনৰ গতি সলনি কবি পেলায়।

সেইবাৰ কলিকতাত 'কাংবেশাখী'ৰ কোব আগ-বাবতকৈ বেছি। দিনৰ দিনটো গেলাগপা গবম, গধূলি হলেই ক'ব পবা যে এই আপদীয়া ধুমুহা আৰু শিলবৰষুণ আৰম্ভ হয় টলকিবই নোৱাবি।

সিদিনা গধূলি অফিচৰ পবা আহি চাহপানীটোপা খাই ঘবৰ কাগজখন মেলি লৈ বহিছোঁহে মাথোন, আহিল হবাওবাবে ধুমুহা বতাহ। দুৱাৰ খিবিকি বন্ধ কবি লৈ ভিতবতে বহি পঢ়ি আছো। লাহে লাহে বাতিওঁ ভালে-খিনি হ'ল। ভজুৱা আজি আৰু আহিব নোৱাবিলে। বাতি ভাতপানী খাই বিছনাত শুই কিবাকিবিবোৰ ভাবি আছো। বাহিৰত ধুমুহাৰ কোব চবিহে গৈছে। মোৰ চিলমিলকৈ তন্দ্রা আহিল। বাহিৰ দুৱাৰত কোনোবাই ধুনিয়াই মাতিব ধবিছে,—বাবুজী! বাবুজী! মই সাব পাই উঠিলোঁ। কোন বাৰু, মনতে ভাবিলোঁ।—ভজুৱাও নহয়! ইমান কোমল মাত কাৰ হব পাবে বাৰু!

মই দুৱাৰখন মেলি দিলো। ভিতবব পবা এটা ক্ষীণ পোহৰ আহি দুৱাৰ মুখত পবিছে। এজনী গাভৰু ছোৱালী আৰু ওচবতে ভজুৱাই মুবত হাত দি বহি আছে। বুজিলো, এইজনীয়েই ভজুৱাৰ ছোৱালী কৃষ্ণা। তাঁহাতক ভিতবলৈ লৈ গলো। পোহৰত দেখিলোঁ তাঁহাতৰ কাপোৰ-কানি তিতি গৈছে আৰু ভজুৱাৰ মুবৰ পবা ধাবাসাবে তেজ ববলৈ ধবিছে। মই খবধবকৈ তাৰ মুবটোত পানী ঢালি দি ফটাকাপোৰ এডোখবেবে মুবটো বান্ধি দিলোঁ। ফটা কাপোৰ ডোখব তেজেবে তিতি বাঙলি হৈ গ'ল, টপটপকৈ তেজ পবিবলৈ ধবিলে। মজিয়াতে ভজুৱা শুই পবিল। তাঁহাতক শুকান কাপোৰকানি পিন্ধিবলৈ দিলো। মই কি হৈছিল বুলি সুধি কৃষ্ণাৰ মুখব পিনে চালো। তাই কলে, বাতি ভাতপানী খাই উঠি ভজুৱাই হেনো ভিতবতে খাটিয়াত বহি ধপাত খাই আছিল। ভাত খোৱা বাহন-বোৰ মাজিবলৈ তাই বাহিবলৈ আহিছিল। তেতিয়া কোবেবে বতাহ বলিছে। তাঁহাতৰ ভগা ঘৰ' বতাহব কোব সহিব নোৱাবি ঘবটো ভাঙি পবিল। খুটা এটা তাৰ মুবত পবি মুব ফাটি গ'ল। কোনোমতে ফাক এটাবে ওলাই আহি আশ্রয় বিচাবি দুৱো আপোনাৰ ওচৰ পাইছোঁহি।…

যাওক, বাতিটো কটাবৰ কাৰণে কোনোমতে এটা দিহা কবি দিলো। বাতিপুৱা ভজুৱাই অলপ ভাল পালে। মই তাক সিদিনা কামলৈ যাবলৈ হাক দিলোঁ। সি কলে, কাম নকবিলে খাম ক'ব পবা?

—বাক থাৰ ক'ব পবা পিছতো ভাবিবলৈ সময় হব, আগেয়ে শবীবটো বচা।—দুপবীয়া ভাত পানী খাই উঠি তাক কামলৈ যাবলৈ আকৌ এবাৰ মানা কবি অফিচলৈ গলো।

গধূলি কামব পবা উভতি আহি দেখো, ভজুৱা কামলৈ গৈছে। দিনব দিনটো হাড় ভগা খাটনি খাটি গধূলি উভতি আহিছে। দেখিলো তাব চকু দুটা বঙা হৈ উঠিছে। গাত হাত দি চালো, জ্বৰ উঠিছে।

—কথা কলে শুনব নহয়, এতিয়া পা মজা।—মই খঙেৰে কলো।

—'কছুব মাফ' কবক বাবুজী।

—বাক এতিয়া শুই থাক। তাৰ গাত কাপোৰকানি কেতবোৰ জাপি দি শুৱাই থলো।

মুবৰ বান্ধ এতিয়াও খুলি থব পবা হোৱা নাই। তাতে আকৌ উঠিল অব। মই মনতে ভাবিলো, এতিয়াহে ভাল কথাটো হ'ল।

কেবাদিনো হ'ল, অব ভাল নহয়। বাঢ়িহে গৈছে। ওচৰৰে বঙালী ডাক্তৰজনক মাতি আনি দেখুৱালো। তেওঁ কলে, একো ভয় নাই, ভাল হৈ যাব। ইইতৰ একো নহয়, ইইত বক্তবীজৰ নাতি।

ডাক্তবৰ কথা নফলিয়ালে। সি ভাল নহ'ল। মাজে মাজে সি চেতনা হেকৰায়। মোৰ বৰ ভয় লাগিল। কৃষ্ণাই উপায় নাপাই ওচৰতে বহি কান্দি থাকে। সিদিনা বাতি তাৰ শেষ অৱস্থা। মই ওচৰতে বহি আছো, সি চকু মেলি মোলৈ চাই কলে, বাবুজী, আপুনি দেৱতা। আপুনি মোৰ বাপ। আপোনাৰ ঋণ মই এই জনমত শুজিব নোৱাৰিলো, মোৰ সকলো কছুৰ মাফ কবিব। কৃষ্ণাক আপুনি চাব। তাইৰ আৰু আপোন কোনো নাই। শেষ বাতি সি চিবকাললৈ চকু মুদিলে। কৃষ্ণা কান্দি কান্দি বাউলী হ'ল।

...এতিয়া আমি দুজন হলোঁ। কৃষ্ণাই ঘৰটো যতনাই বাখে। ভাত পানী বান্ধি দিয়ে, গধূলি আহিলে চাহ জলপান কবি বৈ থাকে। এবা, বস্তুতেই হয় তো নাক কোঁচাব, কুলীৰ ছোৱালী এজনীৰ হাতেবে বন্ধা ভাত খোৱা বুলি। ভাতটো গাৰ চামবাত লাগি থাকে বুলি মই নাখাওঁ। আনব মনত তাই কুলীৰ ছোৱালী,—মোৰ মনত তাই দেৱী। কেলেই দেৱী বুলিছোঁ শেষলৈকে শুনা, বুজিবা। মই তাইক ভনীটীৰ দৰেই মৰম চেনেহ কবিছিলোঁ। তাই হে মনতে মোক কিবা ছিচাপে ভাবি থোৱা বুলি পিছত এদিন জানিব পাবিছিলোঁ। কিন্তু বহুত দিন পিছত। আগেয়ে জানিলোঁহেঁতেন যদি! য'ক বাক, আচল কথাটোলৈ আহোঁ।

* * * আজি কেদিনমানৰ পবা গাটো বেয়া লাগি আছে। এদিন অফিচব পবা আহি বিছনাব আশ্রয় লবলৈ বাধ্য হলোঁ। তীবকণে অব উঠিল। মুবে-গাই কাপোৰ জাপি মৈ শুই পবিলোঁ। কৃষ্ণাই চাহ এটাক কবি দিলে। বাতি একো নাখালোঁ। তাই ভাত পানী বান্ধিবলৈ নগল। তাই উঠি আহি ভবিপচাব দিনে বহি ভবি দুখনত হাত বুলাই পিটিকি দিবলৈ ধবিলে। আকৌ মায়াব বান্ধোন! ইমাননিদনে জগতত অকলশবীয়া মৈ আছিলোঁ, বেছ আছিলোঁ। আনব কাবণে ভাবিব লগা নহৈছিল। এতিয়া কৃষ্ণাব কাবণে ভাবিব লগা কবিলে। তাইক মুবটো পিটিকি দিবলৈ কলোঁ। তাই লাহে লাহে পিটিকি দিবলৈ ধবিলে। বৰ আবাম পালোঁ। বাতি বহখিনি হ'ল। কৃষ্ণাক কলোঁ, হৈছে বাক, এতিয়া আৰু শুই থাকগৈ। তাই 'যাম বাক' বুলি কৈ মোৰ মুবত চুলিব মাজত তাইৰ লাহি আঙুলি কেইটা বুলাবলৈ ধবিলে। মোৰ টোপনি আহিল। বাতিপুৱা সাৰ পাই দেখোঁ, কৃষ্ণাই মোৰ ভবিতে মুবটো থৈ দোখোৰ টোপনিত লালকাল। মনত বৰ অস্বস্তি বোধ কবিলেও তাইক নজগালোঁ। বোধকবোঁ বহুত বাতিলৈকে উজাগবে আছে, এতিয়া অলপ শোৱক।

মোৰ অব ভালকৈয়ে উঠিল। কৃষ্ণাই গৈ ওচৰৰ চিনাকি ডাক্তবজনক মাতি আনিলে। তেওঁ আহিবৰণ-পাতি দি গ'ল। দৰৱ কিনি অনা, পথ্য তৈয়াৰ কবা আদি সকলো কামবে এতিয়া কৃষ্ণাই তদাবক কবে। তাইৰ দিনে-বাতিয়ে এনে অক্লান্ত সেৱা-শুশ্রূষা দেখি মই আচবিত হলোঁ। শিক্ষাদীক্ষা নোপোৱা কুলী এটাৰ ছোৱালী, কিন্তু ইমান গুণী! মই তাইৰ প্রত্যেক কামতে লখিমী হাতব পবশ দেখি মুগ্ধ হলোঁ। তাই মোক বৰ আপোন কবি ললে।

দিনৰ দিনটো ধাবাসাবে ববষুণ। মই চকু মুদি ঘুমাবি শুই আছোঁ। গাত অব। দুৱাৰ মেলাৰ শব্দত চকু মেলি চালোঁ, কৃষ্ণাই তিতিবুবি আহি ঘবত সোমাইছে। তাইৰ হাতত এটা ডেকচি। মই খং দেখুৱাই কলোঁ,—

এই দুৰ্য্যোগত কিয় বাহিবলৈ গৈছিলি? ববষুণত নিতিতিলে নহ'লহেঁতেন নে?

তাই চলচলীয়া চকুবে মোলৈ চাই কলে,—ঘবত গাখীৰ নাই, গাখীৰ আনিবলৈ গৈছিলোঁ। নহলে আপুনি কি খাব? মোক খং নকবিব।

মই সেই সেৱাপবায়ণা ছোৱালীজনীলৈ মুগ্ধ হৈ চাই বলোঁ। একো কব নোৱাৰিলোঁ। তাই গৈ কাপোৰ-কানি সলাই, গাখীৰ একাপ গবম কবি আনি মোক খুৱাই দিলে। মই খালোঁ।

মই ভাবিছিলোঁ, দুই এদিনতে ভাল হৈ উঠিম। কিন্তু অব যে আৰু টান বোগ এটাৰ আগমনী জনাবলৈ হে এই সূত্রপাত কবিছে তাৰ দু পোৱা নাছিলো। আজি ঈশ্বৰক খাটিছোঁ, সাত শত্রুকবো যেন তেনে বেমাৰ নহয়। অৱশ্য উপৰুক্ত কবি নানা উপসর্গ ই দেখা দিলেহি। কাহ আহিল, কাহৰ লগত আহিল তেজ। মোক যক্ষ্মাই গ্রাস কবিলে। নিশ্চিত কবি ধবি ললোঁ, মই আৰু বাচি নুঠোঁ। মবিম বুলি জানিয়েই হবলা, প্রথম বাবলৈ মোৰ জীৱনৰ প্রতি মোৰ মায়া সোমাল। কৃষ্ণাৰ কাবণে বেয়া লাগিল। মই মবি গলে তাইক কোনে চাব? আগেয়ে দিহা এটাও লগাই গৈ যাব নোৱাৰিলোঁ,—এতিয়া ভাবি পাৰ নোপোৱা হৈছোঁ। আকৌ মোৰ ওচৰত তাই থাকিলে তাইবো যে বেমাৰ হব পাবে! কত কথা মনলৈ আহে,—বগে লগে অন্তৰখন আশঙ্কাবে ভবি উঠে। তাইৰ ভালৰ কাবণেই তাইক মোৰ পবা আঁতবত বাখিব লাগিব। তাই যেতিয়া নাছিল, তেতিয়া নাছিলেই—কোনো ভাবনাও নাছিল। তাই আহি মোৰ অন্তৰ, মন এনেবে অধিকাৰ কবি পেলাইছে, যে তাইক নেদেখিলে মই এদণ্ডও সুস্থিবে থাকিব নোৱাৰোঁ। তাইৰ লগতে যেন ধৰৰ লক্ষ্মী, শ্রীও গুচি যাব। ঘৰ আৰু ঘৰ হৈ নাথাকে।

তাইক মই মৰম কবোঁ, তাইৰ ভালৰ কাবণে মই চাবই লাগিব। ইমান দুৰ্ব্বল হলে চলিব কেনেকৈ? কৃষ্ণাক ওচৰলৈ মাতি আনি কলোঁ,—কৃষ্ণা, তই ডাক্তৰ বাবুৰ ঘবতে কাম কাজ কবি থাকগৈ যা। মই কেতিয়া মবি যাওঁ ঠিক নাই। তেতিয়া তই কি কবিবি? সেইদেখি আগেয়ে এটা দিহা লগাই থোৱা ভাল নহয় জানো?

তাই মোলৈ চলচলীয়া চকুবে চাই ৰ'ল। তাৰ পিছত একে উশাহে কৈ যাবলৈ ধবিলে,—মই আপোনাক এবি কলৈ যাম? কোনে মোক ঠাই দিব? আৰু আনৰ ওচৰলৈ যামেই বা কিয়? আপুনি যে মোৰ 'আদমি'। তাই উঠি গ'ল। আঁতবলৈ গৈ চকুলো মচিবলৈকেই হবলা!

এজনী কুলী ছোৱালী, কিন্তু ইমান দৃঢ়, ইমান গোন-পটীয়া।—মই ভাবি আচবিত হওঁ।

—মই মবিলে কি কবিবি?

—আপুনি ভাল হৈ উঠিব।—তাই কথাষাৰ ইমান দৃঢ়তাবে কলে, যেন কোনোবা দৈববাণীয়ে তাইৰ মুখেবে ফুটি ওলাল। মনে কলে, ভাল হ'ম,—তোৰ কাবণেই বাঁচি উঠিম।

গধূলি ডাক্তবে আহি সুধিলে, আপোনাৰ কোনোবা আত্মীয়লৈ খবৰ পঠাব নেকি? কৃষ্ণাৰ পিনে চাই কলোঁ,—মোৰ আটাইতকৈ আপোনাৰ আত্মীয়া ওচৰতে আছে দেখোন, আৰু কালৈ খবৰ পঠাম?—ডাক্তবে অলপ পৰ মোৰ মুখলৈ চাই ৰ'ল, সতকাই কথাটো বুজিবলৈ টান পালে হবলা! ডাক্তবে কলে,—আপুনি ভাল হৈ উঠিব। বোগৰ প্রথম অৱস্থাতে নোপোৱাহেঁতেন কথা বিষম হ'লহেঁতেন। এতিয়া একো ভয় কবিবৰ কাৰণ নাই।

* * * দুমাহমানৰ মুৰত সম্পূর্ণৰূপে সুস্থ হৈ উঠিলোঁ। ইমানদিনে কৃষ্ণাই ভালকৈ চোৱাই নাছিলোঁ। এতিয়া দেখিলোঁ তাই শুকাই-খীণাই জকাটো যেন হৈছে। ভাবিলোঁ, মোৰ বাবে দিনে বাতিয়ে এনেকৈ খাটনি খটা বাবেই এনেকুৱা হৈছে হবলা!

—তোৰ অসুখ হৈছে নেকি কৃষ্ণা?

—নাই।—চমু এটা উত্তৰ দি আঁতবি যায়।

মই ভাগ হৈ উঠিলোঁ। যেতিয়া কৃষ্ণাই আৰু তিমান

খাটনি খাটিব নালাগে। লাহে লাহে তেজপানী ধৰি উঠিব—মই ভাবোঁ।

ভৱা কথা জানো সদায় সঁচা হয়? নিয়তিয়ে অলক্ষিতে হাঁহিলে—কুটিল হাঁহি!

তাই বেছিদিন ফাঁকি দিব নোৱাৰিলে। তায়ো এদিন বিছনা ললে। তাই কলে, মই আৰু নাবাচোঁ। মই আচৰিত হৈ সুধিলোঁ,—কিয়?

এই কিয়ৰ উত্তৰ তাই দিব নালাগিল। তাইৰ কাহ উঠিল, কাহৰ লগত ওলাল এজোলোকা গোট মৰা ডাঠ তেজ। মোৰ চকুৰ আগত সকলো কথা ফটফটীয়া হৈ পৰিল। ময়েই তাইৰ মৃত্যুৰ কাৰণ হলোঁ। মোৰ পৰাই তাই বেমাৰৰ বীজ ললে।

—তই একো নাভাবিবি কৃষ্ণা, তই ভাল হৈ উঠিবি।

কিন্তু কৃষ্ণাই মোক যেনেদৰে কৈছিল, 'ভাল হৈ উঠিব' বুলি মই যেন তেনেকৈ কব নোৱাৰিলোঁ। কথাষাৰ কণ্ঠতে মোৰ যেন বুকুখন কঁপি উঠিল।

ডাক্তৰ বাবুক মাতি আনি দেখুৱালোঁ। তেওঁ কলে, বহুদিনৰ পৰা তাইৰ এই বেমাৰ হৈছে। তাই লুকাই বাখিছিল। যিমান পাৰোঁ চেষ্টা কৰি চাম বাৰু।

ডাক্তৰে পাৰ্য্যমানে চেষ্টা কৰি চালে, একোতে একো নহ'ল। তাইৰ দিনক দিনে বেয়া হৈ আহিল। সিদিনা আছিল সোমবাৰ। তাইৰ চুলিতাৰিত হাত বুলাই আছোঁ। কৃষ্ণাই কলে, মই যাওঁ।

—কলৈ যাব কৃষ্ণা? মোক অকলে এৰি থৈ যাবলৈ বেয়া নালাগে নে তোৰ?

—মই মাৰ ওচৰলৈ যাওঁ,—বুলি আঙুলিয়াই ওপৰলৈ দেখুৱাই দিলে। অলপ পৰ টলকা মাৰি থাকি কলে,—কিন্তু মোৰ বাঁচি থাকিবৰ বৰ ইচ্ছা হয়। সংসাৰখন বৰ সুখৰ! আপোনাক এৰি থৈ গৈ স্বৰ্গতো যে মই সুখ নাপাম!...মই মতা মানুহ। সংসাৰত বহুত দেখি শুনি ডাঙৰ দীঘল হলোঁ। কিন্তু সিদিনা কৃষ্ণাৰ মুখনিতানত বহি চকুলো বোধ কৰিব পৰা নাছিলোঁ। তাই গধুলি পৰত চিৰকাললৈ চকু মুদিলে। মাথোঁ তাৰ আগখিনিতে কৈ গ'ল—আজি মই বৰ সুখী! মোৰ সকলো দোষ মাফ কৰিব।

মোৰ জীৱনৰ পাতনিতে আছিলোঁ অকলশৰীয়া, আজি জীৱনৰ শেষ ছোৱাও কটাৰ লগাত পৰিছোঁ। অকলশৰীয়াকৈ। মাজখিনিতে মাহাৰ বান্ধোনত বাঢ় খাৰ খুজিছিলোঁ।...ক'ৰ কুলীৰ ছোৱালী এজনী, অচিনাকি বিদেশী অঘৰী এজনৰ জীৱনলৈ আহি দুদিনলৈ হাঁহি মাতি তাক আতিকে আপোনাৰ কৰি লৈ, তাৰ প্ৰাণৰ সলনি নিজৰ প্ৰাণটো দি ফাঁকি দি গুচি গ'ল।

তাৰ পিছত আৰু কলিকতাত নাথাকিলোঁ। তাৰ পৰা গুচি আহিলোঁ।

তাৰ পিছৰ কথা তোমালোকে তো জানাই।

মোৰ পেৰিচ ভ্ৰমণ

—শ্ৰীযুত নবকুমাৰ দত্ত

১৯২৮ চন...

ইষ্টাৰৰ বাবে এডিনবৰা বিশ্ববিদ্যালয় মাৰ্চ্চমাহৰ ১৬ তাৰিখৰ পৰা এপ্ৰিল মাহৰ ১৬ তাৰিখলৈকে বন্ধ হ'ল। বন্ধত প্ৰায়বিলাক ছাত্ৰই দেশ ফুৰিবৰ মনেৰে দিহাদিহি ওলাল। ময়ো এই বন্ধতে সুবিধা পাই পেৰিচলৈ যাবৰ মনেৰে ওলালো।

১৮ মাৰ্চ্চৰ দিনা ৰাতিপুৱা ১০ মান বজাত ৰেভালি ষ্টেশ্বনত ২ পাউণ্ড ১৮ শিলিং দি লণ্ডনলৈ তৃতীয় শ্ৰেণীৰ টিকেট এখন কিনি বেলত উঠিলোঁ। মোৰ লগতে মোৰ বন্ধুবৰ শ্ৰীযুত শুকদেৱ গোস্বামীদেৱ লণ্ডনলৈ যাবলৈ



পেৰিছৰ টাউন হল

উঠিলহি। আমি দুয়ো একেলগে বহি কথা পাতি যাবলৈ ধৰিলো। সেই কোঠালিত এজন ইয়োৰোপীয়ও আছিল। আমি ভাৰতীয় মানুহ বুলি জানিব পাৰি তেওঁ আমাক ভাৰতৰ কথা বৰ আগ্ৰহেৰে সুধিছিল।

সেইদিনা বতৰ বৰ ফৰকালেই আছিল। বেল বৰ বেগেৰে যাবলৈ ধৰিলে। এডিনবৰাৰ পৰা লণ্ডন প্ৰায় ৪০০ মাইল আতৰ হব। গোটেই দিনতো গৈ গধুলি ৭½ বজাত লণ্ডনৰ ইউজ্‌টন ষ্টেশ্বন পালোগৈ। তাতে আমি দুয়ো নামি এখন ভাৰাটীয়া মটৰত উঠি টিবিটেন স্কোৱাৰত থকা হোটেল এটাত উঠিলোগৈ। সেই ৰাতি তাতে থাকি পিছদিনা প্ৰাতঃভোজন শেষ কৰি মাটিৰ তলে যোৱা বেলত উঠি (Underground train) বাৰ্কলি ষ্ট্ৰীটলে গলো। তাতে টমাচ্‌ কুকৰ অফিছত পেৰিচলৈ ২ পাঃ ১৮ শিলিং দি দ্বিতীয় শ্ৰেণীৰ টিকিট এখন কিনিলো। কিনি উঠি আকৌ হোটেললৈ ঘুৰি আহি সকলো লেঠা মাৰি দি ১০ মান বজাত মালবস্তু লৈ ভিক্টোৰীয়া ষ্টেশ্বনলৈ আহিলো। বেল ষ্টেশ্বনত সাজু হৈ আছিল। ঠিক ১২ বজাত বেল এবিলে, সেইদিনা ইষ্টাৰৰ বাবে অফিচ আদি বন্ধ হোৱাত যাত্ৰীৰ ভিৰ বৰ বেছি। মোৰ লগতে কেইবাজনো আমেৰিকান আছিল। তেওঁ লোকো পেৰিচলৈকে গৈছিল। বেল আহি ১২ বাজি ৩৯ মিনিটত ডোভাৰ ষ্টেশ্বন পালে, তাতে নামিলো আৰু মালবস্তুবোৰ লৈ জাহাজত উঠিবলৈ গলো। ষ্টেশ্বনত নমা মাত্ৰে "পাছপোৰ্ট" চাবলৈ মানুহ আহিল। চোৱা হলত হে জাহাজলৈ যাবলৈ বাট দিলে। জাহাজত উঠি মালবোৰ এঠাইত থৈ ওপৰৰ "ডেকত" বহি পৰিলো। ১২·৫৫ মিনিটত জাহাজ এবিলে। সেইদিনা বতৰ বৰ

ভাল, সাধারণতে "ইংলিছ চেনেল" বৰ উতলা থাকে। সেইদিনা কিন্তু বৰ দীৰ, টো বেছি নাই ; গতিকে সামুদ্রিক বেমাৰৰ (Sea-sick) পৰাও বক্ষা পবিছিলো। জাহাজ আহি ২ বাজি ১০ মিনিটত কেলে বন্দৰ পালে। তাত আকৌ "পাছপোর্ট" দেখুৱাই লগীয়া হ'ল। "পাছ-পোর্ট" চাই একোখন "এমবাৰকেশন কার্ড" দিলে। জাহাজৰ পৰা নামোতে সেই কার্ড দেখুৱাই নামিব লাগে। নামিয়েই লগত নিয়া মালবস্তুবোৰ "কাষ্টম হাউচত" পৰীক্ষা কৰোৱাবলৈ নিব লগীয়াত পবিল। কৰ্ম্মচাৰী এজনে মালবোৰ লুটিয়াই বণবাই নতুন বস্তু আছে নেকি ভালকৈ চালে আৰু চিগাবেট, অলঙ্কাৰ আদি আছে নেকি সুধিলে। নিজৰ ব্যবহার্য্য বস্তুৰ বাহিবে অইন কোনো বস্তু পালে তাৰ বাবে কব লয়। মোৰ লগত এইবিলাক বস্তু একো নথকাত বাকছৰ ওপবত ছহী কবি দিলে আৰু যাবলৈ কলে। এই মালবস্তু দেখুৱাওঁতে প্রায় ২০ মিনিটমান সময় গল। তাৰ পিছত আহি পেবিচলৈ যোৱা বেলত উঠিলো। কেলে ষ্টেশ্বনতে পাউণ্ডবোৰ ফ্রাঙ্কত ভঙাই ললো।

২ বাজি ৫০ মিনিটত বেল এবিলে। ফ্রান্স দেশৰ মাজেদি লাহে লাহে বেল বায়ুবেগে ধাবিত হবলৈ ধবিলে। সেউজীয়া পথাৰৰ পিছত পথাৰ ; বহি বহি ফ্রান্সদেশৰ শান্ত, কর্ম্মময় মূর্ত্তি চাবলৈ ধবিলো। স্বাধীন দেশৰ মুকলি-মুবীয়া বৰমনৰ কৃষকসকলক দেখি নিজৰ দেশৰ অৱস্থা মনত পবিল। এনেকৈ মনত নানা তল-ওপৰ ভাব আহিব ধবিলে। বেল ক'তো নোবোৱাকৈ গধূলি ৬ বাজি ১০ মিনিটত পেবিচৰ "নর্ড" (Nord) ষ্টেশ্বন পালেহি। ষ্টেশ্বনত আমি মালবস্তুবোৰ লৈ আকৌ কাষ্টম্ "হাউচ"লৈ যাব লগীয়া হ'ল। তাত বাকচ খুলি চোৱাব পাছত ভাবাটীয়া মটবত উঠিলোহি। ড্রাইভাবজনক এটা ইংবাজী জনা হোটেললৈ লৈ যাবলৈ ক'লো। পিছে সেইটো দুবৈত থাওক ড্রাইভাবজনে নিজেই ইংবাজী বুজে। মই মহা আহ্লাদত পবি তাক বুজাব চেষ্টা কবিলো। এনেতে টমাচ্ কুক কোম্পানীৰ অনুবাদক (Interpretor) এজনক যেনিবা দেখা পালো। তেওঁ আহি বুজাই দিয়াত ড্রাইভাবজনে মোক "হোটেল লণ্ডন দি মিলান" নামে এটা হোটেলত নমাই দিলেগৈ। হোটেলৰ মেনেজাবজনে ইংবাজী জানিছিল ; গতিকে মোৰ বিশেষ অসুবিধা নহৈছিল। মেনেজাবজন সকলো সময়তে হোটেলত নাথাকিছিল। তেওঁৰ এজন সহকাবী আছিল, মেনেজাবৰ অনুপস্থিতিত সহকাবীজনেই আছিল। তেওঁ ইটালিয়ান



অজান যুজাক (unknown warrior)ৰ সমাধি মন্দিৰ

আৰু ইংবাজী "Yes" "No" "Very good" আৰু "Nice" এই কেইটাৰ বাহিবে অইন নাজানিছিল। এদিন মই তেওঁৰ ঘড়ীত কেইটা বাজিল বুলি সোধাত তেওঁ "Yes" বুলি উত্তৰ দিছিল।

প্রথমদিনা কলৈকো ওলাবলৈ নহ'ল। পাছদিনা বাতিপুৱা থাই-বই উঠি ভ্রমিবলৈ বাজ হ'লো। লণ্ডনতকৈ আয়তনত পেবিচ নগৰ সক হ'লেও বেহাবেশাবত

কোনোগুণে কম নহয়। পেবিচ এখন অতি ধূনীয়া নগৰ। নগৰৰ মাজেদি "চেইন" নৈ বৈ গৈ জেউতি ছগুণে চবাইছে। শাবী শাবী গছ আৰু ফুলনিয়ে নগৰখন এনেকৈ সজাই বাখিছে যে দেখিলে মনত হয় যেন এখন সুন্দৰ ছবিহে। এনে মনোমুগ্ধকৰ দৃশ্য বিলাসপ্রিয় পেবিচৰ পবিচয় মাথোন। বাজহুৱা উদ্যানবোৰ ফুলেৰে সুসজ্জিত। তাত সদিয়া পৰত সদাই বাস্ত বজোৱা হয়। চহবত চিত্রশালা আৰু বাজহুৱা ভবন বহুত আছে। তাৰ ভিতবত Conservatory of arts and crafts, Opera, Decorative arts, Orchives Nationales, Louvre, Arc de Triomphe de l' Etoile উল্লেখযোগ্য। পেবিচত বিমান "কাফে" (Cafe) আছে বোধকবো ইয়োবোপৰ কোনো চহবতে সিমান নাই। প্রত্যেক আলিব কাষে কাষে "কাফে" আছে। এই "কাফে" বাতি ২, ৩ বজালৈকে খোলা থাকে আৰু ভিন ভিন কচিৰ মানুহে খোৱা-বোৱা তাচলো আদি কবি থাকে। পেবিচৰ থিয়েটাৰ আৰু গান বাদ্য আদি ইয়োবোপৰ ভিতবত ভাল বুলি জনা যায়। "বায়োস্কোপ" থিয়েটাৰ আদি দিনত ২-৩০ বজাত আবম্ভ হৈ বাতি ১২ বজাৰ আগতে সকলো বন্ধ হয়। তিনি দিনমান থাকি এদিন "অপেবা" নামে থিয়েটাৰ চাবলৈ ওলালো। পেবিচত "অপেবা" থিয়েটাবৰ নাম জনাজাত। এই ঘবটোৰে প্রায় তিনি একবমান মাটি জুবি আছে। ইয়াত কম পক্ষেও ২১০০ মান মানুহ ধবে। ফবাচী আৰু আন আন দেশীয় গান বাজনা ইয়াত নিতো হয়। মই চাবলৈ যাবৰ দিনা ৬৫ জন বেহেলা ঐকাতান বাদনত আছিল (Orchestra party)। এই গায়কৰ দল প্রথমে সমতল ভূমিতকৈ তলত থাকে আৰু গোৱাৰ লগে লগে বিজুলীৰ সহায়ত লাহে লাহে ওপবলৈ উঠি আহে। ইয়াৰ নাচো চাব লগীয়া। দুশ আঠেঁগশমান ছোৱালীয়ে একেলগে তালমান ঠিক বাখি নাচে। সেই "অপেবা" থিয়েটাৰ চাবলৈ হ'লে বাতিৰ পোছাক পিন্ধি যাব লাগে। এই থিয়েটাৰ ঘবটো ১৮৬১ চনত সাজিবলৈ আৰম্ভ কবে আৰু ১৮৭৫ চনত সজা শেষ কবে। সাজোতে হেনো প্রায় ৩৪,৪০০,০০০ ফ্রেঙ্ক খবছ হৈছিল। ঘবটোত সোমালে এটা বাজপ্রাসাদত হে সোমোৱা যেন লাগে। গোটেই ঘবটোৰ মাটিত বহু মূলীয়া দলিচা (Carpet) পাবি খোৱা আছে। প্রত্যেক দর্শকৰ আসনৰ আগত একোটা ছববীক্ষণ যন্ত্র থাকে যাতে দর্শক-সকলে ভালকৈ দেখা পায়। সেইদিনা থিয়েটাৰ চাই ফবাচী ভাষা বুজাৰ কাৰণে তাও ভালকৈ বুজিব নোবাবিলো। তেওঁলোকৰ প্রত্যেক কথাৰ লগতে গান বাজনা থাকে। থিয়েটাৰ শেষ হোৱাৰ পিছত জাতীয় গীত গোৱা হয় আৰু তাৰ লগে লগে সকলো বাহিবলৈ ওলাই আহে।



পেবিচৰ অপেবা

পেবিচ চহবৰ পবা ১৫ মাইলমান দুবত ভাৰ্চেইলচ্ (Verseilles) নামে ঠাই আছে। ইয়াত আগৰ বাজ-প্রাসাদ আছে। সাতদিনমান পিছত এই বাজপ্রাসাদ চাবৰ মনেৰে ওলালো। টমাচ্ কুকৰ অফিচৰ পবা সদায় যাত্রী লৈ "বাচ্" এই ঠাইলৈ যায়। অহা-যোৱাই ২৫ ফ্রেঙ্ক লাগে। বাতিপুৱা ১০ই মান বজাত টিকিট এখন

কিনি বাচত উঠিলো। সেইখন মটবতে আৰু দহজনমান যাত্রী আছিল, তাবে এজন জাপানী। আমাৰ লগতে টমাচ্ কুক অফিচৰ এজন পথপ্রদর্শক গৈছিল। তেওঁ সকলো ইংবাজীত বুজাই দিছিল। ভাৰ্চেইলৰ বাজপ্রাসাদ ১৬২৭ খ্রীষ্টাব্দত ত্রয়োদশ লুইৰ (Louis XIII) দিনত সজা হৈছিল। চতুর্দ্দশ লুইয়ে তেওঁৰ বাজত্বত এই প্রাসাদ



The church of the Invalids—Paris

আৰু ডাঙৰ কবি বর্ত্তমান অবস্থাত পবিণত কবে। ফবাচী বিদ্রোহৰ দিনলৈকে বজাসকলে এই প্রাসাদত আছিল। বিদ্রোহৰ পাছত ১৮৩৭ চনত ইয়াক মিউজিয়াম কবা হয়। এই বাজপ্রাসাদত বহুত ঘটনা ঘটে। তাৰ ভিতবত তলত দিয়া কেইটা উল্লেখযোগ্য।—

চতুর্দ্দশ লুই ইয়াতে ১৭১৫ চনত চুকায়।

পঞ্চদশ লুই " ১৭৭৫ " "

১৭৯৮ চনত ইয়াত যুদ্ধৰ সজুলি তৈয়াৰ কবিছিল

১৮৫৫ মহাবাণী ভিক্টোবীয়াই ইয়াতে কৃতীয় নেপোলিয়নক দেখা কবিছিল।

১৮৮০ চনলৈকে ফবাচী গৱর্ণমেণ্টৰ কাম এই প্রাসাদতে হৈছিল। ১৮৮০ চনৰ পাছতহে পেবিচলৈ উঠি আহে।

ইয়াতে ১৯১৯ চনত শান্তি-সম্মিলন বহে আৰু সন্ধি-পত্রত চহী কবা হয়।

গতিকে এই প্রাসাদৰ নাম ফ্রান্স দেশৰ ইতিহাসত বিখ্যাত। এই প্রাসাদ বর্ত্তমান বৰ যতনেৰে বখা হৈছে। নেপোলিয়নে নিজে ব্যবহাৰ কবা ঘড়ী "কাপ প্লেট" আদি আছে। আনকি নেপোলিয়নে যিখন কমাল হাতত লৈ মবিছিল, সেইখন কমালো বৰ যতনকৈ এতিয়ালৈকে বৈছে। বজাসকলৰ দিনৰ শোৱনি ঘৰ, বহাঘৰ সকলো সজাই বৈছে, প্রতি কোঠা বহুমূলীয়া ছবিবে ভবি আছে। প্রাসাদৰ চাবিওকাষে সুন্দৰ ফুলনি বাৰী। প্রাসাদৰ দক্ষিণ চুকে এখন প্রকাণ্ড টেঙ্গাৰ বাৰী। তাত ১২০০ সুমখিয়া টেঙ্গাৰ গছ আছে, তাবে এজোপা ১৪১০ চনৰ বুলি কয়। প্রাসাদকে আদি কবি ইয়াৰ চাবিওকাষে যি সজা হৈছে সকলোবোবৰ কাৰুকার্য্য অতি সুন্দৰ।

পিছদিনা পুৱা নেপোলিয়নৰ কবৰ চাবলৈ গলো। এই কবৰ চাবলৈ দিনে দিনে বহু যাত্রী যাব লাগিছে। "Church of the Invalids" নামে গির্জ্জাত এই কবৰ অবস্থিত। ইয়াত সোমাবলৈ হ'লে ২ ফ্রেঙ্ক দি সোমাব লাগে। মাত্র দেওবাৰে আৰু বৃহস্পতিবাৰে একো দিব নালাগে। কবৰৰ সম্মুখত লিখা আছে :—

"Je desire que mes condres reposent
Sur les bords de la Seine,
An milien de ce penple francais
que j'aitant aime."

ইয়াৰ ইংবাজী ভাঙ্গনী ছৈছে :—"I desire that my ashes may rest on the banks of the Seine in the midst of the French people whom I loved so well."

কবৰটো বৰ যতনেৰে বখা হৈছে। এখন বহুমূলীয়া

ক'লা মখমলেৰে ঢাকি থোৱা ছৈছে আৰু চাবিওকাষে বিজুলীবাতিবে পোহৰাই বাখিছে। ইও এওঁবিলাকৰ বীবপূজাৰ পবিচয় মাণোন। বীবপূজা কবি তেওঁবিলাকে কেৱল সেই বীবৰ প্রতি সম্মান প্রদর্শন কবিছে এনে নহয় তাৰ লগে লগে তেওঁলোকৰ বীবমনৰ (heroic mentality) চিনাকিও দিছে।

ফবাচী লোকসকলৰ সংস্পর্শত আহিলে বুজা যায় তেওঁবিলাক বাস্তৱিকতে উদাৰ মনৰ লোক। ইংলণ্ডত ইংবাজসকলে ভাবতীয়সকলক যিদবে ব্যবহাৰ কবে সেই দবে ফ্রান্সত নকবে। পেবিচৰ সাধাবণ মানুহে "এঁদো" (অর্থাৎ হিন্দু) বুলিলে ভাবতীয় মানুহক সহজে চিনি পায়। ভাবতীয় বুলিলে এওঁবিলাকে বোধকবো মুবত পাণ্ডবি মাবে বুলি ভাবে, গতিকে মোক কেইজনমানে "তোমাৰ টাববান্ ক'তা ?" বুলি প্রশ্ন কবিছিল।

এইদবে পেবিচ চহবত ছদিনমান ইটো সিটো চাই ফুবিবলৈ ধবিলো। এপ্রিল মাহৰ ১১ তাবিখে এডিনববা-মুবা হৈ লণ্ডনত ছদিন থাকি ১৪ তাবিখে ঘুবি এডিনবৰা পালোগৈ।

— — —

মোৰ সোৱঁৰণী

(৩য় বছৰৰ ৬ষ্ঠ সংখ্যা "আবাহন"ত ওলোৱাৰ পাচবপৰা)

—বায় চাহাব শ্রীযুত পদ্মনাথ গোহাঞি বৰুৱা

জাতীয় উন্নতি সাধনা।—কলিকতাবপবা উলটি আহি মোৰ চেনেহীয়া কাল্ব বঙ্গভূমি বংপুবত (শিৰসাগবত) মই এসপ্তাহমান আগৰ লগবীয়া আৰু সমনীয়া বন্ধুবৰ্গবে সৈতে মুকলিমনেৰে বং-বেবেলি কবি ফুবি-চাকি অফুৰন্ত তৃপ্তি উপভোগ কবি থাকোতেই, মোৰ অন্তৰত উমি-উমিকৈ জ্বলি থকা জাতীয় উন্নতিৰ কামনা আপোনা-আপুনি উদ্দীপ্ত হৈ উঠিল ; তাৰ পোহৰত মোৰ অন্তৰ ফুলি পবিল, বাহিবত কার্য্যক্ষেত্রলৈ বাট বিচাবি মন উত্তাল হল। এই কামনাই মোৰ অন্তৰত কলিকতীয়া প্রবাসী কালবে-পবা থিত্ লৈছিল। কলিকতাত স্বচক্ষুবে দেখি অহা চুবুবীয়া বঙ্গালী আৰু ভিন্-ভিন্ প্রদেশৰ উন্নত ভাবত-বাসীৰ সমনীয়াকৈ মোৰ স্বপ্রদেশী স্বজাতীয় অসমীয়াৰ উন্নতি অনতিপলমে কেনেকৈ সাধিম, সেই ধাউতিত মোৰ মনে উধাউল দি উঠিলে। সেই প্রেবণাত বৰ নোৱাবি, মই মোৰ সমনীয়া, মোতকৈ বয়সীয়া আৰু আমাতকৈ আগতীয়া জাতীয় আৰু জাতীয় বন্ধু-বান্ধৱ আৰু দেশ-হিতৈষী লোকসকলবেসৈতে নানা প্রসঙ্গত, ছেগ বুজি, জাতীয় উন্নতিকল্পে বিবিধ বিষয়ক আলোচনা কবিবলৈ ধবিলোঁ। সেই অর্থে, সিবিলাকৰ সহযোগিতা অনুশ্বলা কবাৰ উদ্দেশ্যে এখন-দুখনকৈ খনচেবেক বাজহুবা সভা আৰু সবাহ পাতিবলৈ উদ্যোগী বন্ধুবৰ্গবেসৈতে যত্নপৰ হলোঁহেঁক। মোৰ সেই উদ্যম অসমীয়া বাইজৰ ভালেমানে উদ্গণি পোৱাৰ চিন্ পাই, মই ক্রমাৎ অধিকতৰ উৎসাহিত আৰু উলাহিত হৈ উঠিলোঁ। কোৱাৰ সকাম নাই যে, সেই কালত শিৰসাগৰ অসমীয়া জাতীয় উন্নতি সাধনাৰ এটি ঘাই কেন্দ্র আছিল। মোৰ স্থলীয়া কাকবেপবা মই

দেখি আহিছিলোঁ, অসমৰাজৰ পুৰণি ৰাজধানী এই শিৱসাগৰত, আগৰ উদ্যোগী দেশহিতৈষী পুৰুষ ৺ "বি-এ জগন্নাথ" (ৰায় জগন্নাথ বৰুৱা বাহাদুৰ), ৺ মিঃ জি, জি, ফুকন (৺গঙ্গাগোবিন্দ "ফুকন চাহাব"), ৺পৰমানন্দ ভঁড়ালী এইসকলে ৰাজহুৱা সভা-সমিতি পাতি কেনেকৈ দেশৰ হিত সাধনা কৰিছিল। সেই আৰ্হিৰেই ময়ো মোৰ নগণ্য ক্ষুদ্ৰ শক্তিৰেসৈতে সেই মহাব্ৰত পালন কৰিবলৈ আগ বাঢ়িলোঁ। মোৰ বৰ সৌভাগ্য যে, সেই কালৰ অগ্ৰগণ্য আৰু সদাশয় দেশহিতৈষী বয়োজ্ঞানবৃদ্ধ লোকসকলৰপৰা মই মোৰ দেশহিতব্ৰত পালনত আশাতীত উৎসাহ আৰু সহানুভূতি লাভ কৰিছিলোঁ; সেইসকলৰ ভিতৰত অসমীয়া সমাজৰ ঘাই ধৰণী ৺দীননাথ বেজবৰুৱা ডাঙ্গৰীয়া, আহোম জ্ঞাতিৰ প্ৰধান নেতা ৺পদ্মেশ্বৰ গোহাঞি ফুকন ডাঙ্গৰীয়া, নতুন-পুৰণি দেশাচাৰৰ সামঞ্জস্য ৰক্ষক বিদ্বান লোক ৺পৰমানন্দ ভঁড়ালী ডাঙ্গৰীয়া, ৰাজহুৱা সভা-সমিতি সংগঠন কৰোঁতা আৰ্হিপুৰুষ মিঃ গঙ্গাগোবিন্দ ফুকন চাহাব এই কেইগৰাকী ঘাই। স্বৰূপত, সিবিলাকক গুৰিয়াল স্বৰূপে লৈ আমি চেমনীয়া আৰু ডেকাদলে আমাৰ জাতীয় উন্নতিকল্পে আগৰণুৱাৰূপে কাৰ্য্যক্ষেত্ৰত উলাহেৰে আগুৱাবলৈ ধৰিলোঁহঁক। ফলিতাৰ্থত, নিচেই অলপ দিনৰ ভিতৰতে নগৰত আৰু ভালেমান ভিৰ গাৱঁৰ কেন্দ্ৰস্থলত কেইবাখনো অসমীয়া জাতীয় উন্নতি সাধিনী সভা প্ৰতিষ্ঠিত হল, আৰু তাৰ জৰীয়তে বিবিধ বিষয়ত সদৌ অসমৰ সদৌ অসমীয়া জাতিৰ হিত সাধনা কৰি স্বদেশানুৰাগ আৰু স্বজাতীয় প্ৰেম শদিয়াৰপৰা ধুবুৰীলৈ নিছিগাধাৰেৰে বোৱাবলৈ অহোপুৰুষাৰ্থ কৰিবলৈ ধৰিলোঁহঁক। লগে লগে ৰাজহুৱা সভা-সমিতি আদি বিস্তাৰৰ ব্যৱস্থাতো ধৰা হল। সেই সভা আৰু সবাহ-সমূহৰ ভিতৰত বকটা, বেতবাৰী, অভয়পুৰ, জাঁজি, কোৱঁৰপুৰ, দিলিহি গোহাঞিগাওঁ এইবোৰ কেন্দ্ৰত পতা খনচেৰেক কানি-নিবাৰিণী সভা আৰু আহোম বংশাৱলী সবাহৰ কাৰ্য্যবিবৰণী আজিকোপতি মোৰ সোৱঁৰণীত ফট্‌ফটীয়াকৈ তেজা হৈ জিলিকি আছে। কিন্তু, পৰিতাপৰ কথা, তাৰপৰা ডেৰকুৰিমান বছৰৰ পাচত, মই অসমীয়া সাহিত্যিক সম্মিলনীৰ পোন্-প্ৰতিষ্ঠাপক বৈঠকৰ সভাপতিৰ বাব লৈ শিৱসাগৰলৈ যাওঁতে, আৰু সেই আদিৰপৰা দুকুৰিমান বছৰৰ পাচত, আৰু-তেউজ বছৰত, "জয়সাগৰতীৰ্থ"ত "জয়মতী-তিথি-সম্মিলনী"ৰ সভাপতি হবলৈ যাওঁতে, সেই মোৰ প্ৰাণধন সভা-সমিতি-বোৰৰ চিন্-মোকাম্ একো নাপালোঁগৈ!

জ্ঞাতীয় পুনৰুত্থানৰ কামনা।—পুৰণি কামৰূপে অসম নাম পোৱাৰ আঁতিগুৰি, আগৰ প্ৰবল প্ৰতাপান্বিত আহোম জ্ঞাতিবৰ্গৰ জয়জয় ময়ময় অৱস্থা ক্ৰমাৎ শোক-লগাকৈ জঁয় পৰি যোৱা দেখি মোৰ প্ৰাণে অন্তৰে-অন্তৰে কাহানিবাৰেপৰা উচুপি-উচুপি কান্দি আহিছিল; উপস্থিত সোণাময় সুযোগতে সেইফালেও দু-অনীয়া মনোযোগ দিবলৈ মই এটি উত্তম ছেগ ধৰিলোঁ। একালত স্বজাতীয় স্বতন্ত্ৰীয়া ৰাজকীয় ক্ষমতাৰ গৌৰৱেৰে জিলিকি মোৰ স্বজাতি অসমীয়া আৰু স্বজ্ঞাতি আহোম কি আছিল, আৰু আজি পৰপদানত হৈ কি হৈছে, এই বিজনিৰ মূলীভূত অনুতাপৰ তাপে সংসাৰৰ-ধাৰ-নধৰা মোৰ চেমনীয়া হিয়া তলে-তলে টিঙ্গিৰিতুলা যেন কৰি তুলিলে। আগৰ দিনৰ অসমীয়া জাতিৰ গৌৰৱৰ মূলশক্তি আহোম জ্ঞাতিয়ে খচকাত জঁয় পৰা দূৰবিবনৰ দৰে পুনৰপি ঠন্‌ধৰি উঠি কেনেকৈ আৰু কি উপায়ে মূৰ দাঙ্গি উঠিব পাৰিব, সেই বিষয়ক ভাবনা মোৰ অন্তৰত বক্‌বক্‌কৈ উতলিবলৈ ধৰিলে। সেই ভাবনাৰ প্ৰেৰণাত আৰু খন্তেকমানো ৰব নোৱাৰি মই অনতিপলমে তাৰ উপায় চিন্তি উলিয়ালোঁ। তদৰ্থে, ঘটনাক্ৰমে কাষতে পাই মোৰ পূজনীয় মোমাইদেৱ চকুৱা-খনাৰ মৌজাদাৰ ৺কণনাথ গোহাঞি ফুকন ডাঙ্গৰীয়া, শিৱসাগৰৰ বয়োজ্ঞানবৃদ্ধ জ্ঞাতি ৺পদ্মেশ্বৰ গোহাঞি ফুকন ডাঙ্গৰীয়া, ৺হেমধৰ বৰগোহাঞি ডাঙ্গৰীয়া, পূজনীয় ভিনীহিদেৱ ৺কৃষ্ণানন্দ গোহাঞি ফুকন ডাঙ্গৰীয়া, ৺ৰমাকান্ত গোহাঞি ডাঙ্গৰীয়া, ৺তীৰ্থেশ্বৰ গোহাঞি ফুকন ডাঙ্গৰীয়া এইসকল অগ্ৰগণ্য সুপুৰুষৰ সময়োপযোগী সহায়-সহানুভূতিৰ বলেৰে সেই খচকাত ঠাৰি ছিগি জঁয় পৰা আহোমদূৰবিৰ শিপাৰপৰা কেঁও মেলাবলৈ মই মোৰ ক্ষুদ্ৰ শক্তিৰেসৈতে উবুৰি খাই ধৰিলোঁ। সেই উদ্দেশে মই

৺পদ্মেশ্বৰ গোহাঞি ফুকন ডাঙ্গৰীয়াক সাৰথিকৈ লগত লৈ, "বতাহী" হাতীৰেসৈতে ভালেমান আহোম গাওঁ ফুৰি গাওঁৱে-গাওঁৱে আৰু গোটাদিয়েক কেন্দ্ৰত ডেকা, আদহীয়া আৰু বুঢ়ামেথা আহোমবৰ্গক গোটাই লৈ লাগতিয়াল বুজনি বক্তৃতাদি দি-থৈ উলটি আহি, এদিন শিৱসাগৰ টাউনৰ ছোৱালী স্কুলঘৰত এখন ডাঙ্গৰ আহোম সভা পাতিলোঁ; সেই সভাত আহোমৰ পুনৰুত্থানৰ অৰ্থে ভালেমান সজপন্থা আঁচি দেখুৱাই এটি উতঙ্গনি বক্তৃতাৰে সৈতে সমবেত জ্ঞাতিবৰ্গৰ সৰল সহযোগিতা লাভ কৰি সেই ছেগতে "আহোম-সভা" এখন সেই দিনাই প্ৰতিষ্ঠা কৰিলোঁহঁক। সেইখনেই পোন্-প্ৰথম আহোম-সভা, আৰু সিয়েই পাচত "অসম-এচোচিয়েচন"ৰ আৰ্হিৰে, তাৰ ছাঁতে আশ্ৰয় লৈ, "আহোম-এচোচিয়েচন" নামেৰে জিলিকি উঠে। এই "আহোম-এচোচিয়েচন" প্ৰতিষ্ঠাত আদিৰেপৰা মোৰ দু অনীয়া সমৰ্থনৰ বল নিয়োজিত হল, বাকী চৈধ্য-অনীয়া সহযোগিতা "অসম-এচোচিয়েচন"ৰ লগত থাকিল। এই আদি আহোম-সভা ১৮১৫ শঁকত প্ৰতিষ্ঠিত হয়। সেই মূলৰপৰাই উৎপন্ন হৈ আজিকালি নানান্ কেন্দ্ৰত ভালেমান আহোম শাখা সভা বা 'এচোচিয়েচন' স্থাপিত হৈছে। আৰু, সেই আদিৰেপৰা মই ভিন্-ভিন্ কেন্দ্ৰীয়া আহোম-এচোচিয়েচনবিলাকৰ জেনেৰেল চেক্ৰেটৰীৰ বিষয়-বাব একেৰাহে যোৱা দুকুৰি বছৰ বৈ আহি আছোঁ। সেই পোন্-প্ৰথম অহোম সভাত বক্তৃতা দি থাকোতেই অকস্মাৎ উত্তৰ লক্ষীন্‌পুৰৰপৰা বাতৰি আহি পৰিল যে, মোৰ পিতৃ-দেৱতাৰ বৰ টান নৰিয়া, আৰু সেই নৰীয়াপাটীৰপৰা তেখেতে মোক আৰু মোৰ অগ্ৰজ শ্ৰীযুত নীলকণ্ঠ 'দদা'ক চাবলৈ ইচ্ছা কৰিছে। পোনেই সেই বাতৰিয়ে মোৰ উপস্থিত কৰ্ত্তব্যক ঠেলি ঠাই লব নোৱাৰিছিল; কিন্তু সভাৰ কাৰ্য্য সমাধা হৈ যোৱা মাত্ৰকে সেই বিষম বাতৰিয়ে মোক অথালি-পথালিকৈ খুচি-বিন্ধি বিহ্বল কৰি পেলালে, মই ক্ষন্তেকমানো থিৰেৰে ৰব নোৱাৰি, অনতিপলমে এটা ঘোঁৰা যোগাৰ কৰি লৈ, বাজে-বাজে গৈ ডিচাংমুখ ঘাট পালোঁগৈ। গৈ পাই দেখোঁ যে মোৰ দদাই আগধৰি গৈ ঘাটত মোলৈ বাট চাই আছে। আমি আৰু সৰহপৰ বৈ থাকিব লগীয়া নহল, মই গৈ পোৱাৰ অলপৰ পাচতে ভটীয়াই অহা জাহাজ পালেহি। আমি দুয়ো লৰালৰিকৈ জাহাজত উঠিলোগৈ। আমাৰ গাত পিন্ধা পোছাকত বাজে কাপোৰ-কানি এডোখৰো নাছিল; মাথোন দদাৰ হাতত শুকান বুটমাহ বন্ধা গামোছা এখন ওপৰঞ্চি হৈ আছিল; ঠেঙ্গা-কোট পিন্ধা মোৰ গাত সিমানো নাই। সি যি নহওক, পিচদিনা পুৱাতে আমি কঁকিলামুখ ঘাটত নামিলোঁগৈ। নামি, দেখি, বিচুৰ্ত্তি! ভৰবাৰিষাৰ ভৰপূৰ ব্ৰহ্মপুত্ৰই গড়া ওপচাই ভীম গৰ্জ্জনেৰে ঢৌ আফালি থৌকিবাথৌকি লগাই প্ৰচণ্ড বেগেৰে বব লাগিছে। ঘাটৈয়ে দিনটোত কোনোমতেহে ত্ৰাহি-ত্ৰাহিকৈ এভৰা সিপাৰ কৰে। আমাক এখন গুটীয়া নাৱত তুলি লৈ উজাই গৈ গৈ একেবাৰে শালমৰামুখৰ পোন ধৰি ঘাটৈয়ে খেও দিলেগৈ। সাগৰৰ মাজত এখন ক্ষুদ্ৰ ভাপনাওৰ সদৃশে আমাৰ টুলুঙা নাওখন অপাৰ ব্ৰহ্মপুত্ৰৰ বুকুত ওপঙি গৈ গৈ সন্ধিয়াপৰত কমলাবাৰী ঘাটৰ চৰ্কাৰী জিৰণীয়া চাং-বঙলাৰ গাত চাপিলগৈ। ৰাতিটো আমি তাতে লঘোনে-ভোকে পৰি থাকিলোঁ; মাথোন গামোছাৰ আগত বন্ধা সেই শুকান বুটমাহগাল গামোছাতে তিয়াই কোমলাই তাৰে একোগাল মুখ-খজুৱতি মৰা আহাৰ কৰা হল। আমি আশা কৰিছিলোঁ, সেই ঘাটতে আমাক নিবলৈ পঠিওৱা হাতী পাম বুলি: কিন্তু উটা-বুৰা পানীত পাৰ কৰিব নোৱাৰি মাউতে হাতী লুইতৰ সিপাৰতে ৰাখি আমালৈ বাট চাই আছে বুলি পিচদিনা পুৱা উত্তৰ লক্ষীম্-পুৰৰপৰা উলটি অহা এজন উকীল যাত্ৰীৰ (নগাওঁৰ ৺ঘনশ্যাম বেজবৰুৱা) মুখে শুনিলোঁ; তেওঁ হেনো সেই হাতীতে উঠি আহিছিল। তাৰ পাচত, আমি কমলাবাৰীৰ পৰা গড়মূৰ ঘাটলৈকে সেই ছোৱা সাত মাইল বাট খোজ কাৰি গৈ পাওঁগৈ দেখোন আকৌ এখন অপাৰ সাগৰ! যি হওক, ঘাটৈয়ে আমাক সিপাৰৰ বাতৰি দি ততাতৈয়াকৈ পাৰ কৰিবলৈ এখন গুটীয়া নাও সাজু কৰিলেহি। আমাক মাজে-মাজে উজাই নি-নি খেৰকটীয়া সুঁতি আৰু সোৱণশিৰীৰ মোহনামুখৰপৰা সিপাৰলৈ খেও দি নাও এৰি দিলেগৈ। লুইতৰ সম্মাজত ফেনে-ফুটুকাৰে

সেই উটা-বুৰা পানীৰ গতি দেখি দদা শঙ্কাকুল হোৱা যেন দেখিলোঁ। মোৰ অন্তৰতো যে সেই শঙ্কা নালাগিছিল এনে নহয়, সেইখিনিতে কেনেবাকৈ পকনীয়াত পৰি নাও বুৰিলে আমি লুইতত কেনেকৈ উটি গৈ নেদেখা হমগৈ তাকো নভবাকৈ থকা নাই, তথাপি লুইতৰ মনমোহা কল্‌কলনিয়ে মোক বিভোল কৰি সেই আশঙ্কালৈ অলপ আওকণীয়া কৰি থৈছিল। সি যি নহওক, আবেলি পৰত সিপাৰ হৈ দেখি আমাৰ লঘোনীয়া শুকান প্ৰাণত জীপ আহিল আৰু মুখত হাঁহি ওলাল যে, আমাৰ লখিমী স্বৰূপা "জয়মতী" হাতীয়ে আমালৈ চাই গুৰ্‌গুৰ্‌কৈ মৰম জ্ঞাপন কৰিছে। তাৰ পাচত, ঘৰৰপৰা আইতাই সজাই পঠিওৱা জা-জলপান খাই গা টঙ্গাই লৈ হাতীত উঠি ঘৰমুৱাকৈ যাবলৈ ধৰিলোঁ-হঁক। গৈ গৈ শেহনিশা ঘৰ পালোঁগৈ। গৈ পাই হাতীৰ পৰা নামিয়েই চোতালৰ আগত আমালৈ বাট চাই থিয় দি থকা আইতাৰ চৰণত দুয়ো দীঘল দি পৰিলোঁগৈ; আই-তাই দুইকো দাঙ্গি ধৰি একেটা আকোঁৱালিৰে গৰা মাৰি বুকুলৈ চপাই লৈ আনন্দৰ চকু-লো বোৱাবলৈ ধৰিলে। তাৰ পাচত, ততালিকে উত্ৰাৱল হৈ গৈ আমি দুয়ো নৰীয়া-পাটী পৰা চালপীৰাৰ ভৰিপথানত আঁঠু লৈ পিতৃদেৱতাক সেৱা কৰিলোঁগৈ। দেউতাই আমাক দেখি হৰ্ষবিহ্বল হৈ লাহেকৈ মূৰ দাঙ্গি নৰীয়ামুখৰ করুণ হাঁহি বিৰিঙ্গাই উঠি বহিল। দেখি, শোক-সন্তোষৰ উগুলথুগুলত আমাৰো মুখৰ মাত হেৰাল। তাৰ পাচত, দিনদিয়েকৰ মূৰত পিতৃদেৱতাই ক্ৰমাৎ আৰোগ্য লাভ কৰি উঠিবলৈ ধৰিলে। আমি নিশ্চিন্ত হলোঁহঁক। তাৰ পাচত, এসপ্তাহমান আত্মীয়-কুটুম্, বন্ধুবান্ধৱ, গঞা-চুবুৰীয়া আদিৰ সঙ্গসুখ উপভোগ কৰি উঠি, মোৰ আকৌ উপস্থিত কৰ্ত্তব্যলৈ ধাউতি হল। মই শিৱসাগৰৰপৰা লগত লৈ যোৱা ব্যৱস্থা-সমলেৰেই মোৰ জন্মভূমি উত্তৰ লক্ষীম্‌পুৰতো পোনে এখন আহোম-সভা প্ৰতিষ্ঠা কৰিবলৈ ওলালোঁ। সেই উদ্দেশে মই সপ্তাহদিয়েক ওচৰৰ গাওঁবোৰত ঘোঁৰাৰে আৰু দূৰৈৰবোৰত হাতীৰে গাওঁ ফুৰি আহোম জ্ঞাতিবৰ্গক সিবিলাকৰ আগৰ দিন আৰু এতিয়াৰ দিনৰ বিজনি দেখুৱাই পুনৰুত্থানৰ অৰ্থে যত্নপৰ হবলৈ উতঙ্গাই ফুৰি-ছিলোঁ; আৰু সেই ছেগতে মোৰ শিৱসাগৰীয়া কাৰ্য্যৰ আৰ্হিৰে তেলাহী, বেতেৰী, কমলাবৰীয়া, চিনাতলী, ছুটীয়াকাৰী, কদম, বৰদলনি, ঘিলামৰা, ঢকুৱাখনা এই বিলাক মৌজাত ৰাইজক কানিৰ অপকাৰিতা বুজাই দি কানীয়াৰ কানি পান কৰা অভ্যাস এৰুৱাবলৈ বাট দেখুৱাই খনচেৰেক কানিনিবাৰিণী মেল পতাই দিলোঁ। তাৰ পাচত, টাউনত "উত্তৰ লক্ষীম্‌পুৰ আহোম সভা" নামেৰে এখন স্থায়ী সভা স্থাপন কৰাই ৺পাণীন্দ্ৰনাথ গগৈদেৱক তাৰ নিগাজী সম্পাদকৰ বিষয়-বাব দিয়ালোঁ। এই কাৰ্য্যত মই মোৰ পিতৃদেৱতা ৺ঘিণাৰাম গোহাঞি বৰুৱা আৰু মোমাইদেৱ ৺কণনাথ গোহাঞি ফুকন ডাঙ্গৰীয়াদ্বয়ৰ পৰা বিশেষ সহায় পাইছিলোঁ, কিয়নো সেই সময়ত ত'তবিলাক দুজন ক্ৰমে 'জিলাত' আৰু ঢকুৱাখনাত উত্তৰ-লক্ষীম্‌পুৰৰ প্ৰখ্যাত আৰু প্ৰতাপী মৌজাদাৰ আছিল; আৰু সেই লগতে মোৰ সোঁহতীয়া বলস্বৰূপ লগৰীয়া কাৰ্য্যকাৰক ৺পাণীন্দ্ৰনাথ গগৈদেৱৰ কাৰ্য্য-কুশলতাই মোৰ সেই কৰ্ত্তব্য সাধনত নথৈ গুণ দিছিল।

অ, ভা, উ, সা, সভাৰ প্ৰতিষ্ঠা।—আপদে সম্পদ মাতে। মোৰ পিতৃদেৱতাৰ সেই টান নৰিয়াৰ আপদে যেন মোক চিলাই থাপ্ মাৰি উৰুৱাই নিয়াদি নি মোৰ জন্মভূমি উত্তৰ-লক্ষীম্‌পুৰত জাতীয় কৰ্ম্মক্ষেত্ৰত হে নমাই দিলেগৈ। তাত নামিয়েই পোনেই মোৰ আগৰ সহপাঠী, সহকৰ্ম্মী, লগৰীয়া সাহিত্যিক, বাল্যবন্ধু, অন্তৰতম কুটুম্ ৺পাণীন্দ্ৰনাথ গগৈদেৱৰ সঙ্গলাভ হোৱাত মোৰ অন্তৰত আনন্দ-উলাহ নধৰা হল। সেই সঙ্গলাভে মোৰ আন্তৰিক সাহিত্যিক কামনা উজাৰ খুৱাই তুলিলে। সেই প্ৰসঙ্গতে আমি দুয়ো আমাৰ জাতীয় সাহিত্যৰ উন্নতিবিধায়ক চৰ্চ্চালোচনাত লাগি গলোঁহঁক। পোন্-প্ৰথমে, আমাৰ সেই আলোচনাৰ ভেঁটিস্বৰূপকৈ, কলিকতাৰ অ, ভা, উ, সা, সভাৰ (অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা) আৰ্হিৰেই উত্তৰ-লক্ষীম্‌পুৰতো সেই নামেৰেই এখন অ, ভা, উ, সা, সভা প্ৰতিষ্ঠা কৰিলোঁহঁক। এই সভা পাতোঁতে উজু কিন্তু পালোঁতে টান পালোঁ, কাৰণ সেই কালত যথেষ্ট শিক্ষাবিস্তাৰৰ অভাৱ হেতু জনসাধাৰণে সাহিত্য-সেৱাৰ

মোল নাপাইছিল। আন কি, এই সাহিত্য-সভা প্ৰতিষ্ঠা কৰা প্ৰসঙ্গত গগৈদেৱ আৰু মই ইতিকিঙ্গৰ কাণ-টিলিকি শুনিব আৰু সহিব লগাত পৰিছিলোঁহঁক; সি আজিকো-পতি মোৰ সোৱঁৰণীত টিলিক্-টিলিককৈ বাজিব লাগিছে। সি যি হওক, এই জাতীয় সাহিত্য-সভাখনি প্ৰতিষ্ঠা কৰি উঠি, মোৰ সুযোগ্য লগৰী সৰল সাহিত্যিক ৺পাণীন্দ্ৰনাথ গগৈদেৱক তাৰ সম্পাদকীয় বিষয়-বাবৰ দায়িত্ব গতাই দি নিশ্চিন্ত হলোঁ। তাৰ পাচত, এই অ, ভা, উ, সা, সভাৰ জৰীয়তে আমাৰ জাতীয় সাহিত্যৰ উন্নতিকল্পে আমি কি কি কাৰ্য্য হাতত লোৱা উচিত, তাৰ আলোচনা হল; আৰু সেই আলোচনা একাদিক্ৰমে কেইবাটাও বৈঠকত উত্থাপিত হৈছিল। সদৌশেহত, তাৰ মীমাংসাত এই প্ৰশ্ন উঠিল যে, আমাৰ দেশৰ মজলীয়া আৰু ওখ খাপৰ স্কুল-পঢ়াশালিবোৰতো আমাৰ দেশী ভাষাৰ পাঠ্যপুথি নচলিব কিয়? সেই উদ্দেশে আমি কি কৰা উচিত?

পোন্-প্ৰথম পঢ়াশলীয়া পুথি প্ৰণয়ন।—সেই প্ৰশ্নমূলক সমস্যা ভাঙ্গিবৰ অৰ্থে ৺পাণীন্দ্ৰনাথ গগৈদেৱে আৰু মই সুকীয়া-সুকীয়াকৈ নানা ফালৰপৰা মতামত, উপদেশ আৰু পৰামৰ্শ সংগ্ৰহ কৰিবলৈ লাগি গলোঁহঁক। মই সেই উদ্দেশ্যে সেই কালৰ প্ৰবীণ সাহিত্যিক মোৰ সৰল হিতাশী পৰম শ্ৰদ্ধাস্পদ ৺ফণিধৰ চলিহা ডাঙ্গৰীয়া আৰু সেই সময়ৰ অসম-শিক্ষাবিভাগৰ গুৰিধৰোঁতা ভূতপূৰ্ব্ব স্কুল-ইন্‌স্পেক্টৰ (পাচত Director of Public Instruction, Assam) মিঃ জে, উইলচন চাহাবৰেসৈতে বিস্তৰ লিখালিখি কৰি, আৰু তেওঁৰপৰা পোৱা সজ আৰু সাৰুৱা উপদেশ অনুসৰি গমি চাওঁ যে, আমি যি ঘৰ সাজিবলৈ উথপথপ লগাইছোঁ-হঁক তালৈচোন ভেঁটি চোঙ্গোৱা হোৱাই নাই!—এইখিনিতে কবলগীয়া যে, ওপৰত নাম লোৱা বিচক্ষণীয়া আগৰ স্কুল-পৰিদৰ্শক দুগৰাকীৰ মই বৰ প্ৰিয়পাত্ৰ আছিলোঁ। দুয়োগৰাকীয়ে একে-আষাৰে মোলৈ এই সিদ্ধান্ত দি পঠিয়ালে যে, প্ৰথমে আমাৰ দেশৰ মজলীয়া আৰু ওখ খাপৰ পঢ়াশালিৰ পাঠ্যৰ উপযোগী পুথি, বিশেষকৈ সাহিত্যপুথিৰ উপস্থিত অভাৱ গুচাবলৈ আমাৰ উদ্যম হব লাগে; তাৰ পাচত হে বাঞ্ছিত ফল লাভলৈ আশা কৰা উচিত হব। গমি চালোঁহঁক, কথা সঁচা; আনৰেসৈতে ফেৰ পাতিবলৈ আমাৰ ভাষাত যাইকৈ ওখখাপৰ সাহিত্য পুথি এখনেই নাই! সেই কালত অসমৰ মজলীয়া ছাত্ৰবৃত্তি পঢ়াশালিৰ প্ৰথম শ্ৰেণীত যি কেখন বঙ্গলা সাহিত্য পুথি চলিছিল তাৰ শাৰীত থিয় কৰিবলৈ আমাৰ ভাষাত এখন উপযুক্ত সাহিত্য-পুথি বিচাৰি নাপাওঁ! এই কথাত গগৈদেৱ আৰু মই মনে মনে বৰ লাজ আৰু মনস্তাপ পালোঁ। আৰু, সেই আপাহতে, আমাৰ যুটীয়া পুৰুষাৰ্থৰ বলেৰে, বঙ্গভাষাৰ সেই শ্ৰেণীৰ সাহিত্য-পুথিৰ শাৰী পূৰাব পৰাকৈ, এখন ওখ খাপৰ অসমীয়া সাহিত্য-পুথি যুগুত কৰি উলিয়াবলৈ বুলি আমি দুয়ো দুইৰো ওচৰত প্ৰতিশ্ৰুত হলোঁহঁক।—সেই অঙ্গীকৃত যুটীয়া সংকল্পৰ ফল হৈছে দুকুৰিমান বছৰৰপৰা একেৰাহে এতিয়ালৈকে মজলীয়া ছাত্ৰবৃত্তি আৰু তাৰ সমনীয়া শ্ৰেণীবোৰত চলি থকা অসমীয়া ওখ খাপৰ সাহিত্যপুথি "সাহিত্য-সংগ্ৰহ"। অসমীয়া সাহিত্যত ইয়াক বৰ্ত্তমানলৈকে অদ্বিতীয় বা শীৰ্ষস্থানীয় পঢ়াশলীয়া পাঠ্যপুথি বুলিলে বঢ়াই কোৱা নহব বোধ কৰোঁ, কিয়নো আধুনিক অসমীয়া সাহিত্যত আজিলৈকে এই "সাহিত্য-সংগ্ৰহ" পুথিৰ সমনীয়া স্কুল-পাঠ্যপুথি দ্বিতীয় এখন ওলোৱা নাই এথোন। অৱশ্যে, ইয়াৰ নাম্‌নাচ্‌কৈ কেই-খনমান পঢ়াশলীয়া সাহিত্য পাঠ্যপুথি প্ৰচাৰিত হৈছে, কিন্তু "সাহিত্য-সংগ্ৰহ"ত সন্নিবিষ্ট হোৱা মৌলিক (original) ৰচনাৰ চানেকি সেইবোৰত নাই। তেনে-কুৱা চানেকি আজিকালি প্ৰবন্ধাকাৰে পাবলৈকো নাই। কিয়নো, আজিকালিৰ অসমীয়া লেখকসকলৰ সৰহভাগেই অনুকৰণপ্ৰিয় আৰু পৰৰ ভাষাত ওলোৱা পৰৰ ভাবত ভেজনি আৰু গঢ়িলা লৈ লিখাত অভ্যস্ত। সেইবাবেই "সাহিত্য-সংগ্ৰহ" পুথিৰ দ্বিতীয় ভাগ এটা উলিয়াবলৈ অসম-শিক্ষাবিভাগীয় কৰ্ত্তৃপক্ষৰপৰা সাঙ্কেতিক অনুৰোধ পায়ো মই বহু প্ৰবন্ধেও সেই বিষয়ত কৃতকাৰ্য্য হৈ উঠিবগৈ নোৱাৰিলোঁ; অৰ্থাৎ তদৰ্থে নতুনকৈ ওলোৱা উচ্চতৰ অসমীয়া মৌলিক ৰচনা যথেষ্ট সংগ্ৰহ কৰিবলৈ বিচাৰি নাপালোঁ। সেই কাৰণে, হাইস্কুলৰ দুটা ওপৰ শ্ৰেণীত

চলাবৰ অৰ্থে, কৰ্ত্তৃপক্ষে এই "সাহিত্য-সংগ্ৰহ" পুথিকে প্ৰথম অৰ্দ্ধেক আৰু দ্বিতীয় অৰ্দ্ধেককৈ দুভাগ কৰি পাঠ্য-তালিকাত বিতংকৈ ধৰিছে, মাথোন দ্বিতীয় অৰ্দ্ধেককে দ্বিতীয়ভাগৰূপে আগ বঢ়োৱাৰ উদ্দেশ্যে, "সাহিত্য-সংগ্ৰহ" পুথিৰ ১০ম তাঙ্গৰণৰপৰা তাত ওপৰঞ্চিকৈ এছোৱা যোগ দি আৰু মাজে মাজে গোটাচেৰেক পদ্য আৰু গদ্য প্ৰবন্ধ নতুনকৈ সন্নিবিষ্ট কৰি সেই দ্বিতীয় ছোৱা অলপ পূৰঠ্ কৰা গৈছে। আদিতেও এই "সাহিত্য-সংগ্ৰহ" যুগুত কৰোঁতে আমি বৰ টান পাইছিলোঁ। আধুনিক অসমীয়া সাহিত্যই নতুনকৈ গঢ় লোৱা দিনৰেপৰা সেই সময়লৈকে (এতিয়াৰপৰা দুকুৰিমান বছৰৰ আগেয়ে) পঢ়াশালিৰ পাঠ্যোপযোগী ৰচনা বা প্ৰবন্ধাদি বিচাৰি আমি দুয়ো পাত্-পাত্ কৰিলোঁহঁক; তেতিয়ালৈকে প্ৰচাৰিত হোৱা বাতৰি-কাকত, আলোচনী আৰু গ্ৰন্থাৱলীৰ এখনো আমি চালি-জাৰি নোচোৱাকৈ বাদ পৰি ৰোৱা নাছিল বোধ কৰোঁ। সিমানতো, পুথিখন চকুত লগাকৈ পূৰঠ কৰি উঠিবগৈ নোৱৰা হেতুকে, মই খন-দিয়েক গদ্য ৰচনা নতুনকৈ ৰচি দিব লগীয়া হৈছিল। পদ্যভাগ গোটোৱাত অৱশ্যে বৰ টান পোৱা নাছিলোঁ; কিয়নো তাৰ নিমিত্তে মোৰ স্ব-ৰচিত কবিতা যথেষ্ট আছিল,—এতিয়াও "সাহিত্য-সংগ্ৰহ"ত যিখিনি কবিতা সন্নিবিষ্ট হৈ আছে তাৰ সমানে এভাগ মোৰ নিজা। এই ৰচনা-সংগ্ৰহৰ সংসৰ্গত এটি কথা এইখিনিতে উনুকিয়াবৰ মন গল। "সাহিত্য-সংগ্ৰহ" পুথিৰ সংগ্ৰাহকদ্বয়ৰ সংকল্প আছিল যে, সেই যুগৰ সুলেখক সকলো লব্ধপ্ৰতিষ্ঠ অসমীয়া সাহিত্যিকৰ ৰচনাৰ চানেকি সংগৃহীত হব লাগে। পিচে, হতাশ হব আৰু আচৰিত মানিব লগীয়াত পৰিলোঁহঁক যে, সেই সময়লৈকে সবাত্কৈ সৰহকৈ অসমীয়া প্ৰবন্ধাদি লেখক এতিয়াৰ সুনিপুণ প্ৰবীণ সাহিত্যিক, ৰসৰাজ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ৰচনাপুঞ্জৰ মাজত পঢ়াশলীয়া পাঠ্যৰ উপযোগী ৰহস্যবিয়োগ উকা ৰচনা এখন বিচাৰি গগৈদেৱ হাইৰাণ হল, তথাপি তেওঁৰ উদ্দেশ্য সিদ্ধি নহল; সদৌশেহত, "জীৱনযুদ্ধ" শীৰ্ষক তেখেতৰ নিচেই শেহতীয়া (সেই সময়ৰ শেহতীয়া) ৰচনা এখনিত মোৰ চকু পৰিল। দুয়ো তাকে বৰ আগ্ৰহেৰে চপাই লৈ মনপাৰি চাবলৈ ধৰিলোঁ; চাই চাই আমাৰ হাঁহি উঠিল যে, তাতো ৰসৰাজৰ ৰসময় কাপে মাজতে ছঁয়া কাটি গৈ, "কেৰপাই টেকেলাৰ ঘৰত শিয়াল সুমুৱাই দি টেকেলানীৰ ভাতচৰু লুৰুকাই লণ্ডভণ্ড কৰাই" জীৱনযুদ্ধৰ সমৰ্থনত উদৰযুদ্ধ এখন লগাই দি ৰং চাইছে! আমি লেখকৰ স্বাভাৱিক ৰসিকতা অন্তৰেসৈতে শলাগিলোঁ, কিন্তু কৰ্ত্তব্যৰ অনুৰোধত সেই যেমেলীয়া পটন্তৰটি বাদ দি থৈ, ৰচনাখনি "সাহিত্য সংগ্ৰহ" পুথিত সন্নিবিষ্ট কৰিলোহঁক। তাৰ পাচত, পুথিখন যুগুত হৈ উঠিলত তাক লুটিয়াই চাওঁতে আমাৰ মনত এনে ভাব হল যেন সি উভতি হে উপজিল; সেই পুথি যুগুত কৰোঁতে আমি তাক গুৰিৰপৰা খাপি-খাপিকৈ নুতুলি একেবাৰে আগত তুলিলোঁহঁক, আৰু তাৰেসৈতে সাহিত্য-লানী (Series) এটা আঁচিবৰ অৰ্থে আগৰপৰা গুৰিলৈ উভতি নামি আহিব লগীয়া হলোঁহঁক। আমাৰ মনতে ইও এটা নতুন অভাৱ আহি পৰিল যেন লাগিল, সেই উভতি ধৰা নামনাচভাগ পূৰণ কৰাৰ বাব মোৰ মূৰতে পৰিল; কিয়নো আমাৰ ভাষাত তেতিয়া আন-আন কেইবাটাও বিষয়ক পঢ়াশলীয়া পুথিৰ অভাৱ জিলিকি থকাত, তাৰ ভিতৰৰ নিতান্ত লাগতিয়াল বিষয় অসমীয়া ভূগোল এখন লিখাৰ বাব গগৈদেৱে আগ-ধৰি মূৰ পাতি লৈছিল। গতিকে, অসমীয়া সাহিত্যৰ লানীটো সম্পূৰণ কৰাৰ উদ্দেশে "সাহিত্য-সংগ্ৰহ"ৰপৰা তললৈ নমাই আনি আৰু তিনিছোৱা অসমীয়া পঢ়াশলীয়া সাহিত্য পুথি যুগুত কৰাৰ ভাৰ মোৰ গাত, আৰু তাৰো তললৈ (ক-খ পুথিলৈকে) তিনিছোৱা উলিওৱাৰ বাব গগৈদেৱৰ গাত পৰিল। সেই সংকল্পৰ ফল স্বৰূপে ৺পাণীন্দ্ৰনাথ গগৈ প্ৰণীত "অসমীয়া লৰাৰ ভূগোল" আৰু "লৰাশিক্ষা" তিনিছোৱা, আৰু মোৰ প্ৰণীত "নীতিশিক্ষা" তিনিছোৱা, "ভূগোল দৰ্শন" আৰু "অসমৰ বুৰঞ্জী" প্ৰচাৰিত হয়। মোৰ "নীতিশিক্ষা" তিনিছোৱা আৰু তাৰ অগাপিচাকৈ লিখি প্ৰচাৰ কৰা "ভূগোল দৰ্পণ" আৰু "অসমৰ বুৰঞ্জী" এই পঢ়াশলীয়া অসমীয়া পুথি কে'খনৰ বিষয়ে পাচত যথাঠাইত আকৌ সুমৰি চোৱা যাব। ইয়াৰ পাচত, মোৰ প্ৰণীত পঢ়াশলীয়া অসমীয়া সাহিত্য-পুথিৰ লানী বা চিৰিজটো (series) গুৰিৰপৰা আগলৈকে সম্পূৰণ কৰাৰ উদ্দেশে ময়ো আদিপুথি তিনিছোৱা প্ৰণয়নৰ সংকল্প আগত ললোঁ;—তাৰ কাৰ্য্যফল হৈছে মোৰ "আদিশিক্ষা" তিনি-ছোৱা। এয়ে-সেয়ে, অৰ্থাৎ আদিশিক্ষা তিনিছোৱা, নীতি-শিক্ষা তিনিছোৱা, আৰু সাহিত্য-সংগ্ৰহ এই আটাইকেইও-খন পুথি একে-কঠিকৈ ধৰি মোৰ পঢ়াশলীয়া সাহিত্য-লানী বা চিৰিজটো সাতথপীয়াকৈ সমপূৰণ হৈ উঠাত, মোৰ সাহিত্যসাধনাৰ এভাগি লাগতিয়াল আংশিক ফল পূৰঠ্ হৈ উঠিল বুলি ভাবি প্ৰাণত একেৰি নিৰ্ম্মল সুখ উপভোগ কৰিছোঁ।—ক্ৰমশঃ।

তেজ-পাত

গল্প—

—শ্ৰীযুত হৰিনাথ শৰ্ম্মা বৰদলৈ

ই এখনি মাণ্ডালয়ৰ ওচৰৰে সৰু চহৰ, নাম—অমৰাপুৰ। চহৰখন যদিও সৰু আৰু জনতাও কম তথাপি চহৰখন প্ৰাকৃতিক সৌন্দৰ্য্যেৰে ভৰপূৰ আৰু হাৱাপানী অতি উত্তম। চহৰখনৰ পশ্চিমফালে ইৰাৱতী নদী। চহৰখন এনেয়ে ধুনীয়া তাতে এই নদীখনে চহৰৰ সৌন্দৰ্য্য শতগুণে বঢ়াইছিল। চহৰৰ উত্তৰফালে বহুদূৰৈত এটা ভয়ঙ্কৰ পৰ্ব্বতৰ নীল ৰশ্মি দেখা যায়।

অমৰাপুৰ এখন বৰ পুৰণি চহৰ। তাত বহুত পুৰণি-কলীয়া বৌদ্ধ-পেগোডা আৰু ডাঙৰ চৈনিক আৰ্হিৰ ঘৰ আছে। তাত হিন্দুৰ সংখ্যা বৰ কম নহয়। ঠায়ে ঠায়ে হিন্দুৰ ধুনীয়া ধুনীয়া মন্দিৰবিলাকো আছে।

লাখোচাকা তাৰেই এজন চহৰবাসী। অজস্ৰ সম্পত্তিৰ স্বত্বাধিকাৰী। মনত দুখ যে—ইন্থা নামে ষোল-বছৰীয়া ছোৱালীজনীত বাজে আৰু তেওঁৰ মৃত্যুৰ পিছত উত্তৰাধিকাৰী হবলৈ কেও নাছিল। তেওঁৰ ইন্থাক সুপাত্ৰত গতাব পাৰিলেই ৰক্ষা। লাখো-চাকাৰো ৫০ বছৰ বয়স হলহি। তেওঁ ভবিষ্যতৰ কথা ভাবিয়েই অস্থিৰ। তেওঁৰ ঘৰৰ সমুখতে এখন প্ৰকাণ্ড ফুলনি। লাখো-চাকাই বৰ যত্নেৰে আৰু গাত লাগি এই ফুলনিখন কৰিছিল। তেওঁৰ সম্পত্তিৰ ভিতৰত এটা হাতী আছিল, তাক এজন ইউৰোপীয় কৰ্ম্মচাৰীৰ হতুৱাই ভাল ৰকমে শিক্ষা দিয়া হৈছিল। হাতীটোৱেই ইন্থাৰ ধাইৰ নিচিনা আছিল, ঘৰত কোনো মানুহ নাথাকিলে হাতীটোৱেই গোটেই চাৰিউফালে ঘূৰি ঘূৰি পহৰা দিছিল। কেতিয়াবা অবিকল মানুহৰে নিচিনা কাম কৰিছিল। সেইবাবে লাখোচাকায়ো তাৰ বাবে বৰ তত্ত্বাবধান লৈছিল, হাতীৰ আহাৰ পানীৰ অনিয়ম হ'লে মাউতক বৰ ভীষণ শাস্তি দিছিল। তেওঁ সৰু জীয়েকক তাৰ তত্ত্বাবধানতে এৰি নিশ্চিন্ত হৈ ফুৰিব পাৰিছিল।

তেৱোঁ সদায় তেওঁৰ মাউৰা জীয়েক ইন্থাক মনত সন্তোষ দি ৰখাৰ চেষ্টাত থাকে। ইন্থায়ো বাপেকৰ কাষত আব্দাৰ কৰি সদায় এটা এটা নতুন বস্তু খোজে, বাপেকেও তুৰন্তে সেই অভাৱ পূৰ্ণ কৰে।

এইদৰে দিন যায়।

ইন্-থা শুক্লপক্ষৰ ন-জোনৰ নিচিনাকৈ দিনক দিনে বাঢ়িব ধৰিলে, তাৰ লগে লগে বিদ্যা, বুদ্ধি, ৰূপ আৰু গুণো বাঢ়িল। সৰু কালৰে পৰা তাইৰ সকলো আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম আৰু খোৱা-লোৱা উচ্চ ধৰণৰ আছিল। কিন্তু পোছাক-পৰিচ্ছদবিলাক বৰ জাক-জমকৰ নাছিল; তথাপি যিটোকে পিন্ধে সিয়েই পাশ্চাত্য আৰ্হিৰ। বাপেকেও মৰম কৰি যথাসাধ্যে ইন্-থাক যি পাৰে শিকাইছিল।

চাকাৰ বহুদিনীয়া পুৰণি পিয়া-থাং নামেৰে এজনী চাকৰণী আছিল। তাই বৰ বিশ্বাসী আছিল। ইন্-থাক তাই নিজৰ জীয়েকৰ নিচিনা মৰম কৰিছিল আৰু ঘৰুৱা কাম সকলোবিলাক শিকাইছিল। তাইৰ বয়স প্ৰায় ৩০।৩১ বছৰ। তাই ৰন্ধা-বঢ়া ভিতৰৰ যতবিলাক কাম আছে, সুচাৰুৰূপে চলায়। তায়েই সকলো চাকৰ-চাকৰণীৰ ওপৰত।

টং-ঠু নামেৰে এজনী চাকৰণী। তাইক বিশেষকৈ ইন্-থাৰ কাৰণেই ৰখা হৈছিল। তাই ইন্-থাৰ লগে লগে গাৰ ছাঁৰ নিচিনাকৈ ফুৰে, তাইৰ বয়সো ১৭।১৮ মান হব।

এইদৰেই ইন্-থাৰ দিনবিলাক বৰ সুখেৰে যাব ধৰিলে।

২

সকলো নিদ্রাত নিমগ্ন। বাহিৰত কিবা খট্ খট্ শব্দ হব ধৰিলে, হঠাৎ ইন্‌থাৰ টোপনি ভাগিল, মুৰ দাঙি চাই একো নেদেখি বাপেকক লাহে লাহে মাতিলে "পিতা, পিতা, পিতা!" বাপেক নিস্তব্ধ। কেইবা বাৰো মতাৰ পিছত বাপেক ধহ্‌মহ্‌কৈ উঠি বহিল, সুধিলে, "কি হৈছে ইন্‌থা, কি হৈছে?"

"শুনকচোন পিতা, বাহিৰত সেইটো কিহে খট্ খট্ কৰিছে।" বাপেকে নিৰ্ব্বিকাৰভাৱে হাঁহি হাঁহি ক'লে "হাঃ হাঃ! তোৰ সক কালৰ ভয়টো আক যোৱা নাই, যদিও তই ইমানজনী হ'লি।" ইন্‌থাই আগৰ নিচিনাকৈ ক'লে "নহয়, নহয় পিতা···।" কিবা এটা কব খুজি বৈ গ'ল। ভাবিলে আক বেছি কথা ক'লে নিজৰ ভয়াতুৰতাৰ হে প্ৰমাণ দিয়া হব, সেই গতিকে মনে মনে বাপেকৰ বুকুতে মুৰ দি শুবৰ চেষ্টা কৰিব ধৰিলে, কিন্তু টোপনি অহা তাইৰ পক্ষে অসম্ভব হ'ল। বহুত চেষ্টাৰ ফলত ঘুমষ্টামানৰ মুবত ইন্‌থাৰ টোপনি আহিল।

ইপিনে পিয়া-খাতৰ টোপনি ভাগিল। এই গহীন ঘুপৰ নিশা ওপৰ মহলাৰ পৰা ইন্‌থাৰ কোমল স্বৰ শুনিবলৈ পালে। পিয়া-খাতৰ লাহে লাহে কৌতূহল বাঢ়িব ধৰিলে। মনে মনে ভাবিলে "যদি কোনোবাই প্ৰভুৰ অন্যায় কৰিবলৈ আহিছে, নিশ্চয় বক্ষা কৰিব লাগিব—নিশ্চয়।" এই বুলি হাতত 'দেগাৰ'খন লৈ ছৱাৰ মেলি বাহিৰলৈ ওলাল। দেখে ভীষণ অন্ধকাৰ, তাৰ বাহিৰে আক একো বস্তুকে নেদেখি। হাতত-সাৰে ভৰিত-সাৰে ওপৰ মহলালৈ উঠিল। আলিবাটত থকা চাকিটোৰ বাহিৰে চাকিৰ পোহৰ ক'তো দেখা নগৈছিল। খেপিয়াই খেপিয়াই আহি পিয়া-খাৎ ইন্‌থা শোৱা কোঠাৰ ছৱাৰমুখ পালে। ফুলনিত হঠাৎ এটা ভীষণ শব্দ হ'ল, ইন্‌-থাই সাৰ পালেনে নাই—কোনে জানে। পিয়া-খাতে দেখিলে—দুটা মানুহৰ ছাঁ, কিবা যেন পৰামৰ্শ কৰিছে। তাই বেলিডত ধৰি একেথৰে সেই ছাঁ দুটাকে লক্ষ্য কৰি থাকিল, তাৰ অলপ পিছতে ছায়া দুটা অদৃশ্য হ'ল। তাই ভাবিলে, নিশ্চয় কিবা উদ্দেশ্যত ছাঁ দুটা কোনোবা ফালে গৈছে, তাইহে দেখা নাই, আছে—এনেতে কোনোবাই পাছফালৰ পৰা মাতিব নোৱাৰাকৈ তাইক মুখত সোণা দি ধৰি খুব বলেৰে তলৰ মহলা পোৱালে, এনে জোৰে সোণা দিছে যে তাইৰ পক্ষে মতা দুবত খাওক উখাহ নোৱাই টান হ'ল। অলপ পিছতে তাইৰ জ্ঞান লুপ্ত হ'ল।

প্ৰায়েই লাখো-ঢাকা বেলিকৈ শুই উঠে। সেইদিনাও অভ্যাসমতে লাখো-ঢাকা শুই উঠি দেখে কাষত ইন্‌থা নাই। ভাবিলে কিজানি উঠিব পায়, পচাশুনা কৰিছে।

"ইন্‌থা, ইন্‌থা—অ' বাছা ইন্‌থা!"

কোনেও উত্তৰ নিদিলে। আকৌ মাতিলে, নিস্তব্ধ। ভাবিলে, নিশ্চয় তলৰ মহলাত কিবা কামত ব্যস্ত আছে।

লাহে লাহে আহি ছৱাৰৰ কাষ পালেহি, দেখিলে ছৱাৰখন জপোৱা আক 'ব'-টো মুকলি হৈ আছে। তেওঁ বিশেষ জানিবৰ কাৰণে বাহিৰ ওলাব খোজোতেই ছৱাৰ এখন গিৰিমকৈ তেওঁৰ মুবৰ ওপৰত পৰিল। তেওঁ তো এই কাণ্ড দেখি আচৰিত হ'ল, পিয়া-খাতৰ চিঞৰি চিঞৰি কেইবাবাৰো মাতিলে—নাই, সকলো নিস্তব্ধ; কাৰো সাৰি-সুবা নাই। তেওঁ লাহে লাহে তলৰ মহলাহৈ নামিলে। সকলো ছৱাৰ-ঘৰ মুকলি, কাৰো মাতবোল নাই। তেওঁ পোনে পোনেই চাকৰ থকা ঘৰলৈ গ'ল। তেতিয়া আটাই কেইটা চাকৰ উঠি কামে কামে লাগিছিল। গৰাকীক তাৰৈ অহা দেখি আশ্চৰ্য্যান্বিত হৈ এটা চাকৰে ক'লে "প্ৰভো, প্ৰভো, কি হৈছে, ইমান ব্যস্ত হৈছে কিয়?" তেওঁ ফোপাই ফোপাই সুধিলে মোৰ ইন্‌থা ক'ত, পিয়া-খাৎ?" "কি প্ৰভু! আমি তো আজি দেখা নাই।" লাখো-ঢাকাই তাৰ কথা শুশুনি একেবাৰে ফুলনি পালেহি, লগে লগে চাকৰ কিটাকো সেইখিনি পালেহি। দেখে—ঘাঁহনিৰ ওপৰত এখন বগা কাপোৰৰ নিচিনা কিবা এটা পৰি আছে। চাকৰ এটাই বৰ জোৰে চিঞৰ মাৰি উঠিল, ক'লে, "প্ৰভু! এইজনী টং-টুহে, পিয়া-খাৎ নহয়।"

"কি!" বুলি মুবে কপালে হাত দি বহি পৰিল, মুহূৰ্ত্তৰ ভিতৰতে ধৈর্য্য ধৰি আদেশ দিলে "এইক বঙলাবৈ লৈ বল।"



'অকলে'

লক্ষ্মীবিলাস প্ৰেস লিঃ

শিল্পী—কিশোৰী

৩

ইৰাৱতীৰ পাৰতে এটি ডাঙৰ অট্টালিকা। ঘৰটি তিনিমহলীয়া আৰু ইউৰোপীয় ধৰণে সজা। ঠাঁয়ে ঠাঁয়ে চূণ এবিছে আৰু অলপ পুৰণি হৈছে।

অয়ং-ঘিৰ পিতাৰ মৰাৰ আজি মাত্ৰ দুবছৰহে হৈছে, এই প্ৰকাণ্ড অট্টালিকা আৰু মহান সম্পত্তিৰ বৰ্ত্তমান স্বত্বাধিকাৰিণী তেওঁৰ বিধবা মাক। তেওঁৰ বিধবা মাকেই বাহিৰ-ভিতৰৰ সকলো কাম পৰিপাটিকৈ চলাইছিল। অয়ং-ঘি পিতাকৰ মাত্ৰ এটি লৰা।

মাকে লাখো-চাকাৰ জীয়েক ইন্-থাৱে সৈতে বিয়াৰ প্ৰস্তাব কৰিছে, তাত অয়ং-ঘিও বাজি আৰু ইন্-থাও সম্পূৰ্ণকপে বাজি। ক্ৰমান্বয়ে দুয়োৰে দুয়োকো ভালপাৱলৈ ধৰিলে। অয়ং-ঘিয়ে প্ৰত্যেক দিনাই ইন্থাইতৰ ঘৰলৈ যায় আৰু কথা-বতৰা পাতি যথাসময়ত ঘৰলৈ ওলটে। ভাটাবেলিকা প্ৰায়েই দুয়ো হাতত ধৰাধৰিকৈ ইৰাৱতীৰ পাৰত ঘুৰে। সূৰ্য্যাস্তৰ কিৰণ পানীৰ ওপৰত পৰে আৰু ইৰাৱতীৰ পানী তিৰবিৰকৈ কোন অজান দেশলৈ বৈ যায়, তাকে চাই দুয়োৱে স্বৰ্গৰ বিমল অনুপম সুখ উপভোগ কৰে।

এইদৰে দিন যায়।

অয়ং-ঘিৰ দৰাচলতে একো অভাৱেই নাছিল, কেতিয়াবা অভাৱ হ'লেও মাকে ভুৱন্তে অভাৱ-অভিযোগ যি থাকে পূৰ্ণ কৰে।

এদিন অয়ং-ঘি বিধবা মাকে সৈতে কথা পাতি আছিল, এনেতে চৰাৱত খট্ খট্ শব্দ হ'ল। অয়ং-ঘিয়ে অবিলম্বে চৰাৱখন মেলি দেখে—তেওঁৰ ভাবী-শহুৰেক লাখো-চাকা। ঠাইতে তলমূৰকৈ এখন 'কুচন' পৰা চকীত বহিৰ দিলে। তেওঁ বৰ ব্যস্ত হৈ ক'লে "নাই, মই নবছো—ইয়ালৈ ইন্থা আহিছিল নে?"

"ইন্থা! নাই অহা—" বুলি মাকে লাখো-চাকাৰ ফালে আচবিত হৈ চালে।

অয়ং-ঘিয়ে বিনীতভাৱে সুধিলে "কি—ইন্থা কলৈ গ'ল?"

"মই বিছনাত আজি ইন্থাক নাই দেখা—কৰবালৈ—" বুলি উন্মত্ত প্ৰায় হৈ নিজৰ ওঠটোকে কামুৰিব ধৰিলে। মাকে ভদ্ৰভাৱে শান্তনা দি কলে "অধৈর্য্য নহব, বিপদত ধৈর্য্য ধৰক। সমস্ত কাহিনী আমাক কওক, কাও কি, কিজানি আমি সহায় কৰিব পাৰোঁহেই।" উত্তৰৰ কাৰণে বাট চাই থাকিল, হঠাৎ অয়ং-ঘিয়ে সাহেৱে কৈ উঠিল, "নিশ্চয়, সহায় কৰিম।"

লাহে লাহেকৈ লাখো-চাকাই সমস্ত বিবৰণ কলে। অৱশেষত উপসংহাৰৰূপে চমুকৈ কলে "নিশ্চয় সেই বদমাছ চাকৰণী পিয়া-থাতৰে এই চক্ৰান্ত—" বাধা দি অয়ং-ঘিয়ে ক'লে "পিতা, আশীৰ্ব্বাদ কৰক, মই অনুসন্ধান কৰিছে এৰিম, আজিয়েই ওলাম—"

"নালাগে, অয়ং-ঘি। মই পুলিচত খবৰ দিলেই সকলো বিষয় জানিম।"

"বাক ময়ো ইন্থাৰ অনুসন্ধানত ওলালো। মই ইন্থাক লগত লৈহে ঘৰলৈ উভতিম।"

"নহয়, মই তোমাক যাবলৈ নকওঁ, বহুত বিপদ··"

"বিপদ! তাৰ কাৰণে ভয় কি? এই তেজেৰেই আমাৰ পূৰ্ব্বপুৰুষসকলে বদনফুকনৰ আহ্বানত গোটেই অসম তোলপাৰ কৰি অহা নাছিল নে?"

সকলো নিৰুত্তৰ। মাত্ৰ মুৰৰ ওপৰত ঘূৰি থকা ইলেক্ট্ৰিক ফেনখনে হে নিস্তব্ধতা ভঙ্গ কৰি বোঁ-বোঁ কৰিছে। ওচৰতে মেকুৰীজনীয়ে মেওঁ মেওঁ কৰি ঘূৰি ফুৰিছে।

লাখো-চাকাই গম্ভীৰভাৱে কব ধৰিলে "অয়ং-ঘি! তুমি বীৰৰ পুত্ৰ, এনে সাহসৰ কাৰ্য্যত মোৰ বাধা দিবলৈ সত নাযায়। যোৱা, লগতে মোৰ চাকৰ এটা লৈ যাবা।"

তাৰ পিছত বহু সময় ইন্থাৰ সম্বন্ধে ভালেমিনি কথা-বতৰা পাতিলে, শেহত কলে, "এবাৰ মই বাগদান কৰিলো যেতিয়া, ইন্থা আৰু মোৰ হৈ থকা নাই—ইন্থা অয়ং-ঘিৰ।"

আলাপ শেষ হল, লাখো-চাকা গোনে গোনে পুলিচ অফিচলৈ গ'ল। অয়ং-ঘিয়েও নিজ কৰ্ত্তব্য বুকত বান্ধি ইন্থাৰ অনুসন্ধানত বাহিৰ হ'ল।

৪

অগাধ অৰণ্য। কাঁড় মাৰিলে কাঁড় নসৰকে। ভীষণ অৰণ্য—দিনতে দুহৰে কঠুৱা মাতৰে মাতে, ফেচাঁয়ো

'নিউ নিউ' কৰে। তাত কুলি বা কেতেকীৰ মৌসনা সুমধুৰ মাত নাই। আছে কেৱল এটি গভীৰ নিস্তব্ধতা। প্ৰকৃতিও যেন এলেহুৱা হৈ শুই আছে। ওচৰত প্ৰকাণ্ড গছবিলাক, কিছুমানৰ পাত সৰিছে, কিছুমানৰ আগত নতুন কুমলীয়া পাতে দেখা দিছে। এই গভীৰ নিস্তব্ধতা ভাঙিছে মাত্ৰ গছৰ আগত লগা বতাহৰ শব্দই। ক্ৰমে নিশা গভীৰ হব ধৰিলে, চাৰিউফালে অন্ধকাৰ, আকাশত মাত্ৰ তৰাবাই-হঁতে জোনবাইক হেৰুৱাই ঢিমিক-ঢামাক কৰিছে। শিয়াল-শিয়ালীহঁতে পোৱালিক আহাৰ বিচাৰি খাবলৈ শিকাইছে। মাজে মাজে শুনা গৈছে—বাঘৰ কাণ তাল মৰা গোঁজৰণি, ফেউৰাৰ ফেউ ফেউ চিঞৰ, তাৰ মাজে মাজে দুৰ্ভগীয়া নিৰ্দ্দোষী হৰিণীহঁতৰ কৰুণ চিঞৰ।

এইহেন বিপদপূৰ্ণ অৰণ্যৰ ভিতৰতো এটা সৰু টিপা চাকিয়ে ঢিমিক্-ঢামাক কৰিছিল। এই টিপা চাকিটি আছিল এটা প্ৰকাণ্ড অট্টালিকাৰ ভিতৰত। অট্টালিকাটো এক মহলাৰ, আৰু কোঠা অন্ততঃ ১০।১২টা। এটা কোঠাত তিনিজন বিকট আকৃতিৰ মানুহে বহি পৰস্পৰে কিবা পৰামৰ্শ কৰিছে, আৰু ওচৰতে এজনী গাভৰু ষোল্লবছৰীয়া ছোৱালী, তাই লোৰ শিকলিৰে বন্ধা। তাই নিৰুপায় হৈ মাত্ৰ চকুলোৰে তাইৰ চোলা-কাপোৰ তিতাইছে।

কোঠাটো একেবাৰে পুৰণি। বেৰত যদিও আগেয়ে চূণ লেপা আছিল, চূণৰ সঁচ বুলিবলৈ নাইকিয়া হৈছে। কোঠাটোৰ ভিতৰত এখন বৰ ডাঙৰ খাট আৰু এখন ভগা মেজৰ বাহিৰে একোৱেই নাই। এই তিনিজন মানুহ খাটৰ ওপৰত বহিছে আৰু গাভৰুজনীক বন্দী কৰি মাটিতে বহুৱাই থৈছে। এই মানুহ তিনিজনে বহুত পৰলৈকে ভুনভুনাই কিবাকিবি কোৱামেলা কৰি আছিল।

তাৰে এজনৰ বয়স হব প্ৰায় ৪৯।৫০ বছৰ। তেওঁৰ মূৰত বৰ এটা পাগ, গাত এটা ব্ৰহ্মদেশীয় ছোলা, ভৰিতো সেই নিচিনা জোতা আৰু হাতত এটা ৰিভল্‌ভাৰ আৰু এডাল লাঠী। আৰু এজনৰ বয়স ৩৪ বছৰ, তৃতীয়জনৰ বয়স ৩০।৩১ বছৰ, তিনিওজনৰ গাত একে পোছাক।

অলপ পিছত বয়সীয়া মানুহজনে মাত লগালে "হেৰ ছোৱালী, তোক আজিয়েই এৰি দিম, যদি তই সন্মত হব, এতিয়াও ধেৰ সময় আছে, উত্তৰ দে। সন্মত নে?"

সৰুজনে বৰ কৰ্কশভাৱে মাত লগালে "এই বৰ বদ্‌মাইচ্, তাই এইবিলাক ভাও হে জুৰি দেখুৱাইছে। তাই জানো কান্দিছে, চোৱাচোন চোৱা চকু মোহাৰি মোহাৰি ৰঙা কৰিছে।" এই বুলি সেই নিৰ্দ্দয় কঠুৱা মানুহজনে নিচেই কুমলীয়া গাভৰু ছোৱালীটীৰ বুকুতে এটা গোৰ মাৰিলে। এই হেন এটা পিশাচৰ কঠোৰ গোৰ সেই ষোল্লবছৰীয়া ছোৱালীটীয়ে সহিব পাৰিছিল নে নাই, কোনে কব? ভীষণ যন্ত্ৰণাৰে ছোৱালীটীয়ে কৈ উঠিল "পিতা! হে প্ৰভু! মই কি পাপ কৰিছিলো……" আৰু কিবা এটা কব খোজোতেই তিনিজন মানুহে যি পৈশাচিকভাৱে ছোৱালীটীৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰিলে তাক বৰ্ণনা কৰা অসম্ভৱ। অলপ পৰৰ পিছত ছোৱালীটীৰ জ্ঞান লুপ্ত হ'ল। তাৰ পিছত সেই পিশাচ কিটা কোঠাৰ বাহিৰ ওলাই আহিল। বহু সময়লৈকে সিহঁতৰ কোনো শব্দ পোৱা নগ'ল।

প্ৰায় এঘণ্টামানৰ পিছত ছোৱালীটীৰ চেতনা আহিল, ওচৰৰ কোঠাৰ পৰা এটি কৰুণ বিননি শুনিব পালে। এবাৰ শুনিলে "হেৰ ইন্‌থা, মহাপাপ কৰিছিলো, তাৰ শা—আ—।" তাৰ পিছত সকলো নীৰৱ, নিস্তব্ধ।

৫

পুৱতি নিশাৰ বাতৰি আহিল, জুৰ মলয়াত বিৰবিৰকৈ গছৰ পাত লৰিল, ফেঁচায়ো বিকট 'নিউ' বুলিবলৈ এৰি উকলি দিয়াত লাগিল, বনৰ জন্তুৱে বিষাদ মনেৰে বাহলৈ উভতিল, চৰাইবিলাকে প্ৰকৃতিৰ সঙ্কেতমতে গীত গাবলৈ আৰম্ভ কৰিলে। কৰবাত মাজে মাজে এটা-দুটা কাউৰীয়ে আকাশত উৰি 'কা-কা' কৰি ফুৰিলে, পূবদিশ মাজে মাজে ৰঙা, মাজে মাজে হালধীয়া নানান বৰণেৰে বোলাবলৈ ধৰিলে। লাজুকী তৰাবাইহঁতেও সুৰুয অহা শুনি লাজতে মুখ আঁতৰাবলৈ যো-জা কৰিছে। লাজুকী তৰাবাইহঁতক লাজ দিবৰ মনেৰে সুৰুয আহি ভুটুংকৰে ওলাল। তৰাবাইহঁতেও লাজতে ওৰণিৰে মুখ লুকালে।

কত নগৰৰ কত গাৱঁৰ মানুহ ইৰাৱতীৰ নিৰ্ম্মল বতাহ লবলৈ আৰু পূবদিশৰ মনোৰম দৃশ্য চাবলৈ আহে তাৰ আদি অন্ত নাই। কোনো আহে মটৰত, কোনো আহে ঘোৰাবাগীত, কোনো আহে খোজ কাঢ়ি—তাৰ কি লেখ-জোখ আছে!

লাখো-চাকায়ো একমাত্ৰ কন্যা ইন্‌থাক হেৰুৱাই একেবাৰে জুৰুলা হ'ল আৰু শৰীৰ লাহে লাহে দুৰ্ব্বল আৰু অকামিলা হৈ আহিব ধৰিলে। নগৰৰ ভাল ভাল চিকিৎসকৰ আদেশত খুব দোকমোকালিতে ফুৰিবলৈ লৈছে। লাখোচাকাৰ প্ৰতি মুহূৰ্ত্ততে চকুলো ওলাই থাকে। অনেক দুখ-বেজাৰ-কষ্ট কৰি বাকী কিটা দিন ভালেৰে কটাব খুজিছিল।

ফু-লু নামে এটা চাকৰ নতুনকৈ আহিছিল। সি দেখাত বৰ প্ৰভুভক্ত আৰু বিশ্বাসী আছিল। ইন্‌থাক হেৰুৱাৰ পিছত এনে এটা বিশ্বাসী চাকৰ পাই লাখো চাকাই নিজকে নিজে গৌৰৱান্বিত বোধ কৰিছিল। সিয়েই তাৰ প্ৰভুৰ লগত প্ৰায় সদাই ফুৰিবলৈ যায়। সেই দিনাও আগৰ অভ্যাসমতে গৈছিল। দুয়ো লাহে লাহে গৈ এডোখৰ কাঠনিৰ মাজ পালে। লাখোচাকাই ভাবিলে, 'আমি নিশ্চয় বাট হেৰুৱালো'। সুধিলে "হেৰ, ফু-লু, আমি ক'লৈ আহিলো? মোৰ দেখোন এইডোখৰ ঠাই আগেয়ে দেখা মনত নপৰে।" উত্তৰত সি মাত্ৰ এটি কাঠ হাঁহি মাৰিলে। তেওঁৰ সন্দেহ হ'ল, আৰু মন্ত্ৰমুগ্ধ হোৱাদি থিয় হৈ বিশ্বাসী ভৃত্যৰ কাণ্ড চাব ধৰিলে।

সি জেপৰ পৰা এটা বাঁহী উলিয়াই বজোৱা মাত্ৰকে ৬।৭টামান কিম্ভূত-কিমাকাৰ মানুহ আহি তেওঁক বন্দী কৰিলে। তাৰ পিছত সি ককালৰ পৰা এখন দা উলিয়াই গৰ্জ্জন কৰি ক'লে "হেৰ পাপিষ্ঠ, মোৰ প্ৰভু, তই মোৰ গুৰিত এতিয়া বন্দী, আজি তোৰ জীৱনৰ শেষ দিন।

লাখোচাকা তো একেবাৰে অবাক।

অলপ দূৰলৈ গৈ আটাই কিটাই কিবাকিবি পৰামৰ্শ কৰিলে আৰু তাৰ পিছত আটাই কিটা মানুহ অদৃশ্য হ'ল।

সময় তো আৰু কাৰো কাৰণে বৈ নাথাকে। সূৰ্য্যোদয় হ'ল, লাহে লাহে সূৰ্য্য মূৰৰ ওপৰ পালেহি। তেতিয়ালৈকে কাৰো, ক'তো দেখাদেখি নাই। লাখোচাকাৰ ইচ্ছা যে এইবাৰ সিহঁতৰ গুৰিত ক্ষমা ভিক্ষা কৰিব। কিন্তু অলপ সময়ৰ পিছত তেওঁ এটি বিননি শুনিব পালে, বিননিটো নিশ্চয় তেওঁৰ চিৰপৰিচিত। লাহে লাহে বিননিটো ওচৰ চাপিল, লগে লগে দেখা পালে, পূৰ্ব্বোক্ত মানুহকিটাই এজনী জীৰ্ণবেশধাৰিণী ক্ষীণকায়া মলিনা গাভৰু ছোৱালীক পৈশাচিকভাৱে টানি লৈ আহিছে।

"হায়! হায়!! ই কি! এই যে মোৰ ইন্‌থা…"আৰু কথা মুখত নুফুটিল।

তাৰ পিছত?—কোনে উত্তৰ দিব।

ইফালে হাতীটোৱে ইন্‌থাক হেৰুৱাই যিমানখিনি অশান্তি প্ৰকাশ কৰিছিল তাক নকলেও হব। মৰমিয়াল প্ৰভুক নেদেখি সি উন্মত্তপ্ৰায় হৈছিল। এনেকুৱা এটা জীৱকো জ্ঞানহীন বুলি কব নে? ওৰে দিনটো একো আহাৰ পানী নাখালে, মাত্ৰ সি ৰাস্তাইদি গজাং-গজাংকৈ যাব ধৰিলে। বোধ কৰো নিশ্চয় সি কিবা বিপদৰ ছাঁ দেখিছিল; ইন্‌থাৰ সেই কৰুণ বিননি বুজিব পাৰি হাবি বননি ভাঙি যাব ধৰিলে। গৈ লাখোচাকাক বন্দী কৰি থোৱা ঠাই পালে। ইন্‌থাক বন্দী কৰি পৈশাচিকভাৱে অত্যাচাৰ কৰা দেখি সেই মানুহ কিটাৰ ফালে খোজ ললে। প্ৰথমে যথাসাধ্যে ইন্‌থাক ৰক্ষা কৰিবৰ চেষ্টা কৰিলে। সেই চাৰকটোক শুঁৰেৰে ধৰি এনে এটা আচাৰ মাৰিলে যে তাৰ উঠিবৰ শক্তি নহল। তাৰ পিছত লাখোচাকাৰ গাত বন্ধা ৰচিবিলাক ছিঙি দিলে। ইতিমধ্যে বাকী মানুহকিটা ভয়ৰ শঙ্কা দেখি চতুৰ্দ্দিকে ভাগিল, হাতীটোৱেও সিহঁতৰ পাছ ললে।

৬

ইফালে অয়ং-ঘিয়ে সদলে ইন্‌থাক বিচাৰি এডোখৰ প্ৰকাণ্ড হাবি পালেহি। ইন্‌থাৰ ক'তো সন্ধান নাপাই নিৰাশ হৈ পৰিল। সেইদিনাৰ কাৰণে তাতে থাকিবৰ যো-জা কৰিছিল মাত্ৰ, এনেতে শুনে গুলীৰ আৱাজ—গুৰুম্ গুৰুম্। তাৰ পাছত দেখে কেইটামান মানুহ তেওঁলোকৰ পিনেই আহিছে। মানুহকিটাৰ পাছে পাছে লাখোচাকাৰ হাতীটো অহা দেখি অয়ংঘিয়ে সকলো কাণ্ড

বুজি পালে। তৎক্ষণাৎ মানুহকিটাইলৈ গুলী কৰিলে। তাতে দুটা মানুহ পৰি মৰিল আৰু বাকী দুটা হঠাতে কেনিবা অদৃশ্য হ'ল। সদলবলে অয়ংঘিয়ে হাতীটোক অনুসৰণ কৰিলে। দেখে লাখোচাকা বহি আছে আৰু ইন্দুৰা মূর্চ্ছা গৈ পৰি আছে। লাখোচাকাই অয়ংঘিক দেখি সক লবাৰ দৰে কান্দিবলৈ ধৰিলে। "অয়ংঘি, সকলো শেষ হ'ল—বিদায় ল'লো, ক্ষমা কৰিবা—এইখন লোৱা—" এই বুলি অয়ংঘিৰ হাতত এটা গছৰ পাত দিলে; তাত আখৰ লিখিছে—তেজেৰে। লাখোচাকাই দন্তাইতৰ গুলী খাই নিজৰ বুকৰ তেজেৰে গছৰ পাতখিলাত এইদৰে লিখে, 'মোৰ সম্পত্তি সকলো দন্তাইতে আত্মসাৎ কৰিছে, উপায় নাই। অয়ংঘিয়ে যদি পাৱে, উদ্ধাৰ কৰিব—বিদায়।'

* * *

লাখোচাকাৰ সম্পত্তি গ'ল, প্ৰভুভক্ত অজান হাতীটোও মৰিল, সকলো গল—থাকিলগৈ মাত্ৰ অয়ংঘি আৰু ইন্দুৰা অবৈধ প্ৰেম, আৰু বৈ গ'ল—চুয়োৱা একমাত্ৰ সম্পত্তি এখনি তেজেৰে লিখা গছৰ পাত।

এতিয়াও অয়ংঘিৰ চ'ৰাঘৰত অঁবা আছে—সেই তেজ-পাতখিলা।

অসমীয়া ডেকাৰ অন্নসমস্যা

—শ্ৰীযুত বোহিণীকুমাৰ বৰুৱা, এম্-এ (এডিন্)

সভ্যতাও এটা আপদ, শিক্ষাও এটা আপদ যদি সভ্য হোৱাৰ লগে লগে আৰু শিক্ষাৰ পোৱাৰ লগে লগে আমাৰ দুখৰ ভাৰ ক্ৰমে বাঢ়ি যায় আৰু অন্তৰ বেছি হয়। সেই বুলি আমি অসভ্য হৈও থাকিব নোৱাৰো, অশিক্ষিত হৈ থাকিলেও লাজৰ কথা হব। জগতৰ অতি উন্নত, অতি শিক্ষিত জাতিবিলাকৰ মাজতো দুখ আছে, অভাৱ আছে। অন্নসমস্যা তেওঁলোকৰ এটা ডাঙৰ সমস্যা, কিন্তু সভ্য হোৱাৰ লগে লগে, শিক্ষা পোৱাৰ লগে লগে সেই দুখ অভাৱ লাঘৱ কৰিবলৈ, সেই সমস্যাৰ পৰা হাত সাৰিবৰ নতুন নতুন উপায় উলিয়াবলৈ তেওঁলোকে দিনে-ৰাতিয়ে চেষ্টা কৰিছে আৰু তাকে কৰাত তেওঁলোকৰ নিজ নিজ শাসনকৰ্ত্তা সকলো সহায় হৈছে। ভাৰতবো আজি সেয়ে অৱস্থা। সেই হে ভাৰতৰ আজি অত হাহাকাৰ। ভাৰতবাসীৰ দুখ-কষ্টৰ তুলনাত আন আন জাতিৰ দুখ-কষ্ট ধৰি লগীয়াই নহয়। সেই বুলি ভাৰতবাসীয়ে হাত সাৰটি বহি থকা নাই। এই দুখ-কষ্টৰ পৰা হাত সাৰিবলৈ ভাৰতবাসীয়েও অদম্য চেষ্টা কৰিছে, কিন্তু আন আন উন্নত জাতিৰ শাসনকৰ্ত্তাসকলৰ দৰে আমাৰ শাসনকৰ্ত্তাসকলে আমাক যিমান দূৰ সহায় কৰিব লাগে সিমান দূৰ সহায় নকৰাৰ কাৰণে, আমাৰ ন্যায্য দাবী পূৰণ কৰিব নোৱাৰাৰ কাৰণে ভাৰতত আজি ইমান অশান্তি, ইমান আন্দোলন। প্ৰত্যেক ভাৰতবাসীয়ে আজি অনুভৱ কৰিব পাৰিছে যে যতদিন ভাৰত পৰাধীন থাকিব ততদিন ভাৰতৰ মুক্তি নাই, ততদিন ভাৰতবাসীয়ে আন আন উন্নত জাতি লগত ফেৰ মাৰি উন্নতি পথত আগুৱাই অসম্ভৱ। সেয়েহে ভাৰতবাসী আজি স্বৰাজ সাধনাত ব্ৰতী হৈছে—মুক্তি সাধনাৰ কাৰণে গোটেই ভাৰতজুৰি আজি বহুবছৰেকৰ ধৰি এটা ৰাজনৈতিক আন্দোলন চলিছে। এই আন্দোলনৰ ঢৌৱে অসমকো ছুইছে, আমিও শক্তি চাই ভক্তি কৰিছো। জাতীয় উন্নতি সাধনত অসমীয়া পাছ পৰি থকা নাই। কিন্তু ভাৰতৰ আন আন প্ৰদেশৰ মানুহে স্বৰাজ সাধনাৰ লগে লগে জাতীয় উন্নতিৰ সকলোবিলাক সৰল গোটাই লৈ নিজ নিজ দেশক সবল কৰি তুলিবলৈ চেষ্টা কৰিছে ; আমি অসমীয়াই একাণপতীয়াভাৱে অকল স্বৰাজ সাধনতহে লাগি গৈছো ; দেশক আন আন বিষয়ে সবল কৰিবলৈ হলে কৃষি, শিল্প, বাণিজ্য আদিবো সংস্কাৰ কৰিব লাগিব। এইবিলাক বিষয়েও আমি জগতৰ উন্নত জাতিবিলাকৰ লগত ফেৰ মাৰিব পাৰিব লাগিব। ভাৰতবাসীয়ে সেই চেষ্টাৰ ত্ৰুটী কৰা নাই। ভাৰতৰ আন আন প্ৰদেশৰ পক্ষে এইটো কৃষি-শিল্প-বাণিজ্য সংস্কাৰৰ যুগ বুলিব পাৰি। আমি অসমীয়াই সেই যুগৰ এতিয়া মাত্ৰ সন্ধান হে দেখিছোঁ।

অলপতে কলিকতাৰ অসমীয়া ভদ্ৰলোকসকলে মিলিদেশৰ বাণিজ্য আদি বিষয়ত পাছ-পৰা অৱস্থাৰ বিষয়ে আলোচনা কৰিবৰ কাৰণে এখন সভা পাতে। সেই সভাত স্থিৰ হয় যে যাতে অসমীয়া ডেকাই বেপাৰ-বাণিজ্যৰ ফালে মন মেলে তাৰ কাৰণে উদ্গণি দিবৰ উদ্দেশে আৰু অসমীয়া ব্যৱসায়ী আৰু ব্যৱসায়ী হব খোজোতাসকলক উপদেশ, বাণিজ্য বিষয়ক খবৰ-বাতৰি আদি দি সহায় কৰিবৰ কাৰণে "Assam Trade Information Bureau" (অসম বাণিজ্য বাতৰি সমিতি) এখন খোলা হওক। এই সমিতিৰ বিষয়ে সবিশেষ অসমীয়া বাতৰি-কাকত বিলাকত প্ৰকাশ হৈছে। সমিতিৰ বিষয়ে বহলাই লিখা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। প্ৰচাৰ কাৰ্য্য এই সমিতিৰ এটা ঘাই কাম। কাগজে-পত্ৰে প্ৰবন্ধ লেখি, জাননী দি বা আন যি উপায়ে হওক অসমীয়া বাইজক, বিশেষকৈ ব্যৱসায়ীসকলক ব্যৱসায়মূলক আলোচনাৰে সহায় কৰা আৰু উদ্গণি দিয়া। যদিও মোটামুটিভাৱে লেখা হৈছে, এই প্ৰবন্ধ সেই উদ্দেশ্যেই লিখা। হাতত sufficient data (যথেষ্ট সমল) নাহি পৰিলে পিছলৈ প্ৰত্যেক

বেহানিৰ বিষয়ে সুকীয়াকৈ লেখিবৰ ইচ্ছা থাকিল।

প্ৰতি বছৰে নাই নাই বুলিও অন্ততঃ ২০।২৫ জনমান অসমীয়া ডেকাই শিক্ষা সাং কৰি বিষবিদ্যালয়ৰ উপাধি লৈ ঘৰাঘৰি যায়। ইয়াৰ বাহিৰেও কোনোৱে কোনোৱে অৰ্থৰ অভাৱতে হওক বা আন কোনো কাৰণতে হওক কলেজত দুই এবছৰ পঢ়ি বিশ্ববিদ্যালয়ৰ কোনো উপাধি লব নোৱাৰাকৈয়ে ঘৰলৈ যাব লগাত পৰে। এই শিক্ষিত ডেকাসকলে ঘৰলৈ গৈ কোনে কি কৰে তাক বিচাৰ কৰি চাবলৈ গলে দেখা যায়, দুই এজন হাকিম বা চৰডেপুটী কলেক্টৰ হয়, দুই এজন মাষ্টৰি কামত সোমায়, কেজন মানে ওকালতি কৰোঁগৈ বুলি কাছাৰি ঘৰলৈ অহা-যোৱা কৰে আৰু বাকী কেজনে কাম কাজ নাপাই অনাই-বনাই ঘুৰি ফুৰে। মুঠৰ ওপৰত অতিকৈ বঢ়াই ধৰিলেও ২০ জনৰ ভিতৰত ১০ জনমান যেই সেই এটা কামত নিযুক্ত থাকে, বাকী ১০ জন নিবনুৱা হৈ ঘৰতে বহি থাকে। এই ১০ জনৰ ভিতৰত এজনেও কিবা বেহা-বেপাৰ কৰিব খোজা যেন মনে নধৰে। দুখৰ বিষয় অসমত চাহ বাগিছা কেখনৰ বাহিৰে অসমীয়াৰ বঙ্গ, বিহাৰ, বম্বে আদি দেশৰ দৰে এনে কোনো ব্যৱসায় বা সদাগৰী কাৰবাৰ নাই য'ত আমাৰ শিক্ষিত ডেকাসকলে চাকৰি বিচাৰি লব পাৰে। টেক্‌নিকেল শিক্ষা পোৱা সকলৰ কাৰণেও চৰকাৰী চাকৰি লোৱাৰ বাহিৰে জীৱিকা আৰ্জ্জিবৰ কাৰণে আন কোনো বাট নাই। অসমত বেহা-বেপাৰ যি আছে সি সকলো বিদেশীৰ হাতত। গোটেই অসমত কেইজন অসমীয়া বেপাৰী বা ব্যৱসায়ী আছে তাক বোধ কৰো আঙুলিৰ মুবত গণিব পাৰি। কিন্তু বিদেশী ব্যৱসায়ীৰ সংখ্যা অগণ্য। তাকে চলাইহে বিদেশীয়ে সুখে-স্বচ্ছন্দে দিন কটাইছে আৰু পাচিয়ে পাচিয়ে অসমৰ পৰা ধন চুঁচি বিদেশলৈ পঠিয়াইছে। আমাৰ ধনীৰ ধনীজনেও বিদেশীৰ ওচৰত ধৰুৱা। মাটিবাৰী যি অকণ পৈত্ৰিক সম্পত্তি আছে সিও বিদেশীৰ হাতত বন্ধক। এইবোৰ দেখি শুনিও, দিনো দুৰ্ভিক্ষৰ এই খাণ্ড খাণ্ড মূৰ্ত্তি দেখিও আমি এতিয়া হাত সাৰটি বহি থকা উচিত নে? এই

দুর্ভিক্ষৰ পৰা, বিদেশীৰ এই কৰাল গ্ৰাসৰ পৰা হাত সাৰিবৰ কাৰণে আমি এতিয়া উপায় চিন্তিবৰ হল। এই দুর্ভিক্ষই এই কঠোৰ অন্নসমস্যাই আশীৰ্ণাদ স্বৰূপে আহি অসমীয়াৰ চকু গজাব, দেশক সবল কৰিবৰ কাৰণে অসমীয়াক বাট দেখুৱাই দিব। বঙ্গদেশবো এদিন এই অৱস্থা আছিল, এতিয়াও আছে। বিদেশীৰ প্ৰভুত্ব বঙ্গদেশত এতিয়াও বহলভাৱে আছে; কিন্তু বঙ্গদেশে এই আপদ দূৰ কৰিবৰ কাৰণে অহোপুৰুষাৰ্থ কৰিছে, নিজৰ অৱস্থা টনকিয়াল কৰিবৰ কাৰণে দিনে-ৰাতিয়ে চেষ্টা কৰিছে। আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়কে আদি কৰি নেতাসকলে ঠাইে ঠাইে বক্তৃতা দি প্ৰৰঙ্ক আদি লেখি আজি কেবছৰমান ধৰি দেশবাসীক উদ্গণি দি ফুৰিছে। আচাৰ্য্য ৰায়ে Foreign Domination of Bengal নামে এখন কিতাপো লেখিছে বুলি শুনিবলৈ পাওঁ। আচাৰ্য্য ৰায়ে নিজ হাতে খোলা বেঙ্গল কেমিকেল ব্ৰৰ্কছ বৃহৎ আকাৰ ধৰি এতিয়া বঙ্গদেশৰ গৌৰৱৰ স্তম্ভ হৈ পৰিছে। শুনিছো বোলে এই বেঙ্গল কেমিকেল ব্ৰৰ্কছত আচাৰ্য্য ৰায়ে এজনো বিদেশীক সুৰ সুমুৱাবলৈ দিয়া নাই। বঙ্গবাসীৰ এই অদম্য চেষ্টাৰ ফলত এই দৃঢ়সঙ্কল্পৰ বলত বঙ্গদেশ যে আকৌ বঙ্গালীৰ হব, ই ধুৰুপ।

অসমৰ অৱস্থা টনকিয়াল কৰিব লাগিব অসমৰ ডেকা সকলে—গাঁৱৰ হওক বা নগৰৰ হওক, শিক্ষিত হওক বা অশিক্ষিত হওক। আমি আশাকৰোঁ আমাৰ শিক্ষিত ডেকা-সকলে, যিসকল এতিয়া কোনো কামে-কাজে নিযুক্ত থকা নাই সেইসকলে, আগৰঘুৱা হৈ বেহা-বেপাৰত সোমাই নিজবো চাউল উলিয়াব আৰু লগে লগে দেশবাসীকো বাট দেখুৱাই দিব। আমাৰ উন্নতিৰ পথত প্ৰধান প্ৰতিবন্ধক হৈছে আমাৰ "অহঙ্কাৰ"—নিজকে "মই-বৰ" বোলা ভাবটো। অসমীয়াৰ বোধকৰো এইটো জাতিগত বিশেষত্ব। বহুতে কব হয়তো নহয়, প্ৰধান প্ৰতিবন্ধক হৈছে ধনহে। ধন নথকাৰ কাৰণেহে আমি কোনো কামত হাত দিব নোৱাৰো। ইয়াৰ উত্তৰত সুধিব পাৰি, আমাৰ দেশত যিসকল বিদেশীয়ে এতিয়া বেহা-বেপাৰ কৰি ধনী হৈছে প্ৰথমে অসমলৈ আহোঁতে তেওঁলোকে নো কিমান ধন হাতত লৈ আহিছিল? খাবলৈ নোপোৱা ভিকহু অৱস্থাত এওঁলোকে প্ৰথমে আমাৰ দেশত নোসোমাইছিল নে? বছৰচেৰেঙৰ পিছত এনেৱোৰ বিদেশীৰ ওচৰতে আমাৰ হোজা অসমীয়াই ধকৰা হৈ থাকি মহাজন বুলি মানি লোৱা জানো মিছা কথা? আমি সকলো হৈ চলিব নজনাৰ কাৰণেই আমাৰ আজি এই অৱস্থা, আমাৰ আত্ম-অভিমানৰ কাৰণেই অসমৰ আৰ্থিক অৱস্থা এনে শোচনীয়। নহলে দেখি শুনিও, দুর্ভিক্ষত পৰিও আমাৰ অসমীয়াই বেহা-বেপাৰ কৰি ধন অৰ্জ্জন কৰিবলৈ নোলোৱাৰ কাৰণ কি? বেপাৰী বুলিলে আমি অসমীয়াই অপমান বোধকৰো, ব্যৱসায় উপলক্ষে নজনা নিচিনা মানুহৰ ঘৰৰ দুৱাৰে দুৱাৰে কেনভাহ কৰি ফুৰিবলৈ আমি লাজ পাওঁ, তেহেলে ইঙ্গিণ্ডৰ কৰাবলৈকে হওক বা কিবা বস্তুৰ অৰ্ডাৰ লবলৈকে হওক। বঙ্গাৰত দোকান পোহাৰ দিয়ে যত "ছোটেলাক" বোৱে। সিইতৰ লগত শাৰী পুৱাই দোকান-পোহাৰ দিবলৈ হলে আমাৰ মান হানি হয়। দোকান দিলেঁৱেই বা বাকী পয়ছাৰ তাগাদা দিবৰ কাৰণে আমি নিজে দুৱাৰে দুৱাৰে ঘুৰোঁ কোন লাজেৰে? "No thank you, I would rather earn Rs. 15/ a month as a private tutor." এয়ে কথা। কিন্তু এইৰূপে প্ৰত্যেকে যদি বংশগৌৰৱ, আত্ম-অভিমান লৈয়ে ওফন্দি থাকে তেন্তে আমাৰ দেশৰ কাম কবে কোনে? সুখৰ বিষয় বৰ্ত্তমান শিক্ষিত ডেকাসকলৰ মাজত আমি এনেৱোৰ ভাব শিথান পৰিমাণে নেদেখো। অলপ উদ্গণি পালে, জনাবুজাসকলে বাট দেখুৱাই দিলে তেওঁলোকে দেশৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিবলৈ যে আগবাঢ়িব, এইটো আমাৰ দৃঢ়বিশ্বাস।

অলপতে কলিকতাৰ বীমা কোম্পানী এটাৰ ডিৰেক্টৰ বন্ধু এজনক অসমৰ পৰা প্ৰতি বছৰে তেওঁলোকে ইমান ধন চুঁচিছে অথচ অসমীয়া এজেণ্ট-কেনভাছাৰ কিয় নিযুক্ত কৰা নাই বুলি প্ৰশ্ন কৰি আপত্তি জনোৱাত তেওঁ কয় যে প্ৰথমতঃ ভাল অসমীয়া এজেণ্ট বিচাৰি পাবলৈ টান দ্বিতীয়তে, যি দুই-এজন অসমীয়া এজেণ্ট আছে তেওঁলোকে ভাল কাম দেখুৱাব পৰা নাই। তেওঁৰ কথাযাৰ বিশ্বাস

কৰিবলে বাধ্য হলো, কাৰণ অসমত থকা কালত মই নিজে তাৰ প্ৰমাণ পাইছিলোঁ। বিদেশী ইন্সিওৰেন্স এজেণ্ট বিলাকৰ পৰা হাত সাৰিবৰ কাৰণে ভিক্ষগড়ত মই কেতিয়াবা পলাই ফুৰিব লগীয়াত পৰিছিলো। এমাহ ৰাকি-ঢকা দি পঠিয়াই দিলে পিছৰ মাহত আৰু কোনোৱে প্ৰতি মাহতেই এবাৰ দেখা দি যাবই। ইন্সিওৰ নকৰাওঁ বুলি ধিবাংকৈ কৈ দিলেও কোনোৱে কোনোৱে নহাকৈ নাথাকে কিজানি কেতিয়াবা মন সলাৰেই; তেওঁলোকৰ মুখত কথাও যেন আখৈ ফুটাদিহে ফুটে। ব্যৱসায় পাওক নাপাওক চেষ্টাৰ ত্ৰুটী তেওঁলোকে নকবে। ধৈর্য্যও নেহেকায়। মনত পৰাই ভিতৰত ৩ বছৰৰ ভিতৰত মুঠ মাত্ৰ অসমীয়া ইন্সিওৰেন্স এজেণ্ট মোৰ তালৈ দুদিন আছিলিগ। এজনে আকৌ মোৰ আত্মীয় এজনৰ পৰা চিঠি এখন লৈ আছিলিগ। সেই চিঠিৰ ওপৰতে ভৰসা কৰি তেওঁ মোৰ ওচৰ চাপিছিলিগ। মইনো কেলৈ আন কোম্পানীত বিমা নকৰাই তেওঁৰ কোম্পানীত বিমা কৰাব লাগে সেই কথা ফটাই কবৰ শক্তি তেওঁৰ নাছিল। আনজন এজেণ্ট অৱশ্যে কথাই-বতৰাই বৰ চতুৰ আছিল। শুনিছো তেওঁৰ ভালো হৈছিল।

নায্যভাৱে (honestly) কৰিলে প্ৰত্যেক ব্যৱসায়েই সম্মসূচক (noble)। নিজৰ জীৱিকা অৰ্জ্জিবৰ কাৰণে, নিজৰ ঘৰ-সংসাৰ পৰিপাটীকৈ চলাবৰ কাৰণে আমি যিহকেই নকবো নায্যভাৱে কৰিলে আমাৰ মানহানি হবৰ ভয় নাই, লাজ কৰিবৰো সকাম নাই। এই বিষয়ে আমি পাশ্চাত্য জাতিবোৰৰ নিয়ম কাৰণ অনুকৰণ কৰিব লগীয়া। বিলাতত প্ৰত্যেক ব্যৱসায়েই সম্মসূচক। তাত fish-monger (নদীয়াল), butcher (কছাই) বা launder (ধোৱা) বুলি একোটা জাত নাই। মেয়ে সেয়ে এনে ব্যৱসায় কৰিব পাৰে আৰু যিবিলাক এনে ব্যৱসায় কৰে সিইতক কোনেও নিঘিণায়। ঘকৰা কামতো দেখা যায় যি অতিকৈ চকুলী নহয় এনেৱোৰ পৰিষ্কাৰ ঘৰত ঘৰ তিকতা মানুহবিলাকেই পাইখানা চাফ কৰা, আলি পদুলি মোচা, কাপোৰ কানি ধোৱা আৰু বন্ধা বঢ়া আদি সকলো ঘৰৰ কাম নিজ হাতেই কৰে। ডাঙৰ ডাঙৰ অফিচত কাম কৰা চাহাববিলাকেো দেখিছো সিইতে নিজ হাতে চকৰীৰ আলিত বহি নিজৰ নিজৰ মটৰ গাৰী নিজেই ধুই লয়, কাৰণ বিলাতত গেৰেজত মটৰ গাড়ী ধোৱাবলৈ হলে প্ৰায় ৪৲৫৲ টকা খৰছ হয়। সিইতৰ লগতে উজাই লেখকেও বোকাবে লুচুবি-পুচুবি হৈ চকৰীৰ আলিত নিজৰ মটৰ গাড়ী নিজে ধোৱা মনত আছে। এডিন্‌বৰা চহৰত গিলাচ বটল আদি কাচৰ বস্তুৰ ব্যৱসায় চলাইতে সাধাৰণ ধৰ্ম্মঘটৰ সময়ত যেতিয়া জার্ম্মেনী বেলজিয়াম আদি দেশৰ পৰা glass-wares আমদানি কৰিব নোৱাৰিছিলো সেই সময়ত অতি লেতেৰা গলি (Shun quarters) বিলাকত থকা Rag and Bone Shop বিলাকৰ পৰা পুৱণা বটল আদি গাড়ীবে মদ-বেছা দোকানে দোকানে দি আহিছিলোগৈ—নাটনিত পৰি সেই পুৱণা বটলবোৰ Publicane বিলাকে নতুন বটলতকৈও দুগুণ দাম দি কিনিবলৈ বাধ্য হৈছিল। ইয়াৰ বাবে লেখকৰ মানহানিও হোৱা নাছিল আৰু কোনেও বেয়াও বোলা নাছিল। ব্যৱসায়ী হবলৈ গলে যাতে দুপয়ছা আয় হয় সদাই আমি সেই চেষ্টাত থাকিব লাগিব আৰু তাকে কৰিবৰ কাৰণে মিতব্যয়ী হৈ চলি যতদূৰ পৰা যায় সকলো কাম নিজ হাতে কৰাটোৱেই উচিত। মানুহে কি বুলিব, আমাৰ মান হানি হব এইবোৰ শঙ্কা বাৰি ব্যৱসায় কৰা অসম্ভৱ। ব্যৱসায় সূত্ৰত অনেক সময়ত আমি আনৰ গালি-শপনিও খাব লাগিব, হয়তো অপমানিতও হব লাগিব। তথাপি আমি মনৰ স্থিৰতা বাৰি, ধৈর্য্য ধৰি চলিব লাগিব। ৫২৫৬/অঃ

খবৰ বাতবিৰ কাৰণে আমাৰ সমিতিলৈ লেখিলে আমি যতদূৰ পাৰো সহায় কৰিম।

আজিকালি এনে বহুতো বস্তু বেহানি ওলাইছে যিবোৰ অসমৰ বজাৰবোৰত বিক্রী হোৱা সম্ভাৱনা আছে কিন্তু আমি যতদূৰ জানো কোনেও এতিয়ালৈকে অসমত চলাবৰ চেষ্টা কৰা নাই। এনে বস্তুবোৰৰ তালিকা এখন তৈয়াৰ কৰিবৰ চেষ্টাত আমি আছোঁ, বাইজৰ হাতত দিবলৈ আশা কৰিলোঁ। এনে বস্তুবোৰ চলাবৰ কাৰণে অসমৰ ঠাইে ঠাইে ৩।৪ জন শিক্ষিত ডেকা লগ লাগি প্রথমতে সৰু-সুৰাকৈয়ে একোখন দোকান খুলিলে নহয় নে? গাইপতি ১০০৲ টকাকৈ দিও চাৰি-পাঁচশ টকাৰ মূলধনেৰে অসমত একোখন দোকান, মোৰ মনেৰে, নিশ্চয় চলিব। ডেকাসকলৰ এনে উদ্যোগত অসমীয়া বাইজে নিশ্চয় সহানুভূতি দেখুৱাব আৰু সহায় কৰিব। ইয়াৰ বাহিৰেও অসমত উৎপন্ন হোৱা বা তৈয়াৰ হোৱা এনে বহুত বস্তু আছে যিবোৰ অসমৰ বাহিৰে বপ্তানি কৰিব পাৰি। এনে বস্তুবোৰৰো একোখন তালিকা আৰু কোনে সেই বস্তুবোৰ লয় আৰু কলৈ বপ্তানি কৰিব পাৰি সেইবোৰৰ একোখন তালিকা কৰিবলৈ আমাৰ সমিতিৰ ইচ্ছা থাকিল। এতিয়া ডেকা বন্ধুসকলে মন মেলিলেই হয়। আশা কৰো আমাৰ এই অনুৰোধ বিফলে নাযাব।

গীত

—শ্রীযুত উমেশ চন্দ্র চৌধুৰী, বি-এল

বহাগী লুইতৰ বিহুৰালি সুঁতিত
বাই কি সোণৰ ভুৰ—
জিলমিল পানীৰে আহিলে নামি
সপোন-সখীটী মোৰ!

ঘামিজামি আহিলে প্রিয়া
ৰূপহী মুখখনি কুমলীয়া;
ৰ'দে চৰায় লাহ গোলাপী গালতে
বতাহে পেলালে জুৰ,—
জিলমিল পানীৰে আহিলে নামি
সপোন-সখীটী মোৰ!

চপালে নাও মোৰে ঘাটত
মোৰে পৰাণৰ বিজন পাবত
বিহুৰতী চৰায়ে বিহুৰালি বনত
লগাই দিলে বিহু-সুৰ,—
জিলমিল পানীৰে আহিলে নামি
সপোন-সখীটী মোৰ!!

গান্ধাৰ-ভাস্কর্য্য

আগৰ সংখ্যা আবাহনত আমি গান্ধাৰ শিল্পকলাৰ কথা আলচি কেতবোৰ নিদৰ্শন দেখুৱাইছিলোঁ। ইয়াত



হাৰীতী

আৰো কেতবোৰ নিদৰ্শন দেখুৱা হ'ল। ইয়াতে বুদ্ধমূর্ত্তি ৰচনা সম্বন্ধে এষাৰ কৈ থোৱা যাওক। ভাৰুকতে আমি বুদ্ধমূর্ত্তি দেখিবলৈ নাপাওঁ। তাত বুদ্ধক বুজাবলৈ নানান নিদৰ্শন চিন ব্যৱহাৰ কৰিছে। গান্ধাৰ শিল্পৰ বিশেষজ্ঞ সকলেই কয় বোলে বুদ্ধমূর্ত্তিৰ ৰচনা আৰু কল্পনা বৈদেশিক। গ্রুৱেনডেলেও তাৰেই প্রতিধ্বনি কৰি সেই কথাকে সমর্থন কৰে। বার্গেচেও তাকেই স্বীকাৰ কৰে আৰু সাধাৰণতে বিলাতী পণ্ডিতসকলৰ মত এনেকুৱাই। আধুনিক পৃথি গেটেৰ 'উত্তৰাপথ বৌদ্ধ-দেৱতা'তো এই কথাকে কৈছে। এইসকলে কয় যে ভাৰতীয় বুদ্ধমূর্ত্তিৰ আদর্শ মিলে গান্ধাৰ শিল্পৰ সমলৰ লগত। আমাৰ পণ্ডিতসকলে কিন্তু এই কথাটো মানি লোৱা নাই।

ভাৰতীয় শিল্পকলাৰ সোণালী যুগ বোলা হৈছে



গুপ্তকালক। গুপ্তযুগত ভাৰতীয় শিল্পকলাই যিমান প্রসাৰ আৰু উৎকর্ষ লাভ কৰিছে, আন কোনো যুগতে কৰা নাই। 'গুপ্ত'-বুদ্ধই বুদ্ধমূর্ত্তিৰ আদর্শ হৈছে। সেই বুদ্ধমূর্ত্তিৰ বুৰঞ্জী মথিলে আমি দেখিবলৈ পাওঁ যে ভাৰতীয় বুদ্ধমূর্ত্তি গান্ধাৰ-বুদ্ধৰ পৰা আদর্শ লৈ হোৱা নাই। গান্ধাৰ

শিল্পকলা খৃঃ শতক অলপ আগথিনিতে সৃষ্টি হয়। গুপ্তযুগৰ অভ্যুত্থানৰ সময়ত ই ভাৰতীয় শিল্পকলাৰ কোৰাল সৌতত চিন্-মোকাম হেকৰায়।



কুবেৰ আৰু হাৰীতী

কিছুদিন আগলৈ পণ্ডিতসকলে ধৰি লৈছিল যে মথুৰা শিল্পকলা গান্ধাৰ শিল্পকলাৰ ঠাল-ঠেঙুলি। এই কথাটোত এধানো সত্য নাই। মথুৰা-শিল্পকলাৰ দুই এশ্রেণীৰ ওপৰত অন্ততঃ কিছুপৰিমাণে গান্ধাৰ-শিল্পৰ প্ৰভাৱ দেখা যায়; কিন্তু মথুৰা-শিল্প বুলিলে আমি সাধাৰণতঃ যি বুজোঁ, তাক গান্ধাৰ শিল্পকলাৰ প্ৰভাৱে অকণো ছুব পাবা নাই। ইয়াৰ বুৰঞ্জী অনুসন্ধান কৰিলে আমি বুজিব পাৰিম যে ভাৰতৰ দৰে ভাৰতীয় জাতীয় শিল্পকলাৰ আদৰ্শতে গান্ধাৰ ভাস্কৰ্য্য গঠিত। ভাৰতীয় প্ৰত্নতত্ত্ব বিভাগেও স্বীকাৰ কৰিছে যে খৃষ্টীয় ১ম শতক মথুৰাত সুকীয়া আৰ্হিৰে বুদ্ধমূৰ্ত্তি ৰচনা কৰা হৈছিল। ভোগেলেও মানি লৈছে যে মথুৰাৰ বিশিষ্ট বুদ্ধমূৰ্ত্তি গোটেই দেশ জুৰি পৰে। আৰু এটা কথা। কোনো কোনোঞ্চনে গ্ৰীক্-গান্ধাৰ-শিল্পক বোমীয়-গ্ৰীক্ বুলি নামকৰণ কৰিছে। এই কৰা তেনেই ভুল। এই দুয়োটা শিল্পকলা গ্ৰীক্-শিল্পকলাৰপৰা ওলোৱা। কুশান-যুগত লগে-লগে গান্ধাৰ-বুদ্ধ আৰু মথুৰা-বুদ্ধ ৰচিত হবলৈ ধৰে। দুই-এটা মাথোন তাৰিখৰ হেৰফেৰ দেখা যায়। কলিকতা যাদুঘৰত থকা লোহিয়ান-টাঙ্গাইৰ বুদ্ধমূৰ্ত্তিৰ তাৰিখ ৩১৮—চেলিউকিড অব্দ অনুসাৰে ও খৃঃৰ পিছত। হস্তনগৰৰ মূৰ্ত্তি হয় ৭২। যুচুফজাই জিলাত তাখ্ত-ই-বাহীত অনেক গান্ধাৰ ভাস্কৰ্য্য উদ্ধাৰ কৰা হৈছে—গডোফেৰাচৰ তাৰিখ ৪৩।

খৃঃ ১ম শতকৰ বুদ্ধমূৰ্ত্তিৰো অভাৱ নাই।

গান্ধাৰ শিল্পক আমি ভাৰতীয় শিল্পৰ গ্ৰীক্ প্ৰভাৱান্বিত কপ হিচাপেহে চাব লাগিব, গ্ৰীক্-শিল্পৰ ভাৰতীয় কপ হিচাপে নহয়। কেৱল এপোলো মূৰ্ত্তিৰ বুদ্ধ নাম লিখা হোৱা নাই—মনৰ মূৰ্ত্তিক হে কপ দিয়া হৈছে। ঠিক এইদৰেই মথুৰাৰ বুদ্ধমূৰ্ত্তি গঢ়ি উঠিছিল।

যেতিয়াৰ পৰা গান্ধাৰত ভাৰতীয় ভাৰ বাঢ়িবলৈ



কুবেৰ আৰু হাৰীতী

ধৰিলে তেতিয়াৰপৰা তাত গ্ৰীক্ কপ ক্ৰমান্বয়ে কমি আহিবলৈ ধৰিলে। আৰু এই হিচাপেই সাধাৰণতে গান্ধাৰ ভাস্কৰ্য্য নিদৰ্শনৰ বয়স উলিয়াব লাগে। পিছত ভাৰতীয় ভাব আৰু হেলেনীয় ভাব দুয়ো মিলি এক নতুন শিল্পকলা গঢ়ি তোলে। বিৰোধৰ ভাব লাহে লাহে কমি আহিল। গান্ধাৰৰ বীতিবিশেষ যি অলপমান বাকী ৰ'ল সিও ভাৰতীয় পৰ্য্যায়ত ঠাই পালে। বিৰোধৰ যে ওৰ পৰিল, তাৰ চিন পোৱা যায়, খৃঃ ২য় শতক উকলাত। সেই হে অকল মথুৰাত নহয়, যি কোনো গান্ধাৰ-বীতিভাবাপন্ন শিল্পতে, আনকি অমৰাৱতীতো দেশী শিল্পকলাৰ সেই সময়ত গান্ধাৰ গঠন প্ৰণালীৰ সুন্দৰ চিনাকি পোৱা যায়। এই পদ্ধতিক তেতিয়া ভাৰতীয় বুলি ধৰিছিল।

গান্ধাৰ শিল্পকলাত আদিতেও বুদ্ধমূৰ্ত্তি ভাৰতীয় ভাবেৰেই অনুপ্ৰাণিত। সি গ্ৰীক্ এপোলো নতুন পোছাকত মাথোন নহয়। সেই শিল্পকলায়ো তেতিয়া চলুকীয়া অৱস্থা পাব ধৈছিল। সেই কাৰণেহে ভাৰতীয় যোগীমূৰ্ত্তিয়ে দেখা দিছিল। যোৱা সংখ্যা আবাহনত ভাৰতীয় যোগীৰ ছবি দিয়া হৈছিল। সেই ছবিত অন্তৰৰ কপ ভালকৈ ফুটি উঠিছিল। ইয়াতে এইটো কথা জানি থোৱা আৱশ্যক যে সেই মৰচেবেলা যোগী মহাযোগী



ভাৰতীয় বুদ্ধ নহয়। তেতিয়া গোটেই এচিয়াৰ শিল্পকলাতে যোগীৰ কপকল্পনা ফুটি উঠিছিল। ই ভাৰতীয় শিল্পকলাৰে এক অনুপম দান। পৃথিৱীৰ কোনো শিল্পকলাত এটা কপৰ এনে অসীম প্ৰভাৱ দেখিবলৈ পোৱা নাযায়। ভাৰতীয়ৰ মানত যোগীৰ আসন কিমান ওখত,



তাক ইয়াৰপৰা অনুমান কৰিব পাৰি। সেই কাৰণে ভাৰতক যোগী-ভাৰত আখ্যা দিলেও একো ভুল নহয়। সেই মহাযোগী বুদ্ধৰ এনে কপৰ আকৃতিৰ আদর্শ ক'তো পোৱা নাযায়,—ভাৰত, সিংহল, লংকা, বৃহত্তৰ ভাৰত, চীন, জাপান, নেপাল ক'তো পোৱা নাযায়। বুদ্ধৰ সুবিখ্যাত ৩২ প্ৰধান লক্ষণ আৰু অসুতী গৌণ লক্ষণ একোয়ে ইয়াৰ পোষকতা নকৰে। বুদ্ধৰ ধৰ্ম্মত দেহৰ এনে নিপীড়ন নিষিদ্ধ। মহামুনিৰ এনে কপকল্পনা কল্পনাৰ দীনতাৰ পৰিচায়ক। ই কৰ্ম্মকাৰৰ কৰ্ম্ম—হীন সৃষ্টি। কিয়নো, আমি আগৰ প্ৰবন্ধতে কৈ ৰাখিছোঁ যে গান্ধাৰ শিল্পী কৰ্ম্মকাৰ, কপকাৰ নহয়। কোটি চন্দ্ৰৰ কপ জিনা বুদ্ধৰ কপ এনে হোৱা অতি অসম্ভৱ!

হাৰীতী গান্ধাৰ ভাস্কৰ্য্যৰ এটা অতি সুপৰিচিত মূৰ্ত্তি। হাৰীতী আৰু শীতলাক এক কৰা হৈছে। এইটো স্বীকাৰ কৰিব লাগিব যে শীতলা হিন্দুদেৱী আৰু হাৰীতী বৌদ্ধসৃষ্টি। হাৰীতীৰ সন্ধান লব লাগিল প্ৰাক্-বৌদ্ধযুগৰপৰা অহা যক্ষীত সন্ধান লব লাগিব। এই যক্ষীয়ে বৌদ্ধশিল্পকলাত বিশিষ্ট স্থান পাই আছিছে। সমগ্ৰ বৌদ্ধ সাহিত্যত বুদ্ধৰ

অতি ভক্ত-উপাসিকা ৰূপে যক্ষীৰ বিশিষ্ট ঠাই আছে। হাৰীতীৰ সমন্ধে বৌদ্ধ সাহিত্যত যি বিৱৰণ পোৱা যায় সিও যক্ষীৰ পৰিপোষক। বৌদ্ধসাহিত্যত হাৰীতীৰ বৃত্তান্ত এই—কোনোবা জন্মত হাৰীতীয়ে এই কামনা কৰে যে ৰাজকোঁৱৰসকলক তেওঁ খাব। এটা জনমত তেওঁ যক্ষৰাজ প্ৰঞ্জকৰ তিৰোতা হয়। তেওঁৰ ৫০০ সন্তান (ভিন্ ভিন্ কিতাপত ভিন্ ভিন্ সংখ্যা দিয়া আছে)।



হাৰীতী

যক্ষৰ লৰাছোৱালীবিলাকলৈ সদায় মানুহৰ লৰাছোৱালীৰ আৱশ্যক হৈছিল। মানুহে গৈ বুদ্ধত উপায় সুধিলে। বুদ্ধই যক্ষিণীৰ অতি মৰমৰ নুমলীয়া সন্তানটিক পেটত সুমুৱাই ৰাখিলে। যক্ষিণীয়ে কথাটো জানিব পাৰিলত বুদ্ধই কলে—তোমাৰ দেখোন এমথা সন্তান! তেন্তে এটাৰ কাৰণে ইমান আকুল হৈছা কিয়? মানুহৰ প্ৰত্যেকৰ এটা বা দুটা সন্তান। সিহঁতক তোমালোকে মৰাত, মাকবাপেকৰ মনত কিমান আঘাত লাগে, বুজিব পাৰা নে? যক্ষিণীৰ মতি ফিৰিল। তেওঁ সজ ধৰ্ম্ম ললে।

বুদ্ধই ভিক্ষুসকলৰ ভিক্ষাৰপৰা যক্ষী-শিশুবিলাকৰ আহাৰৰ বন্দৱস্ত কৰি দিলে। বিহাৰৰ আহাৰৰ কক্ষত হাৰীতীৰ মূৰ্ত্তি আছে—কোলাত সেই (নুমলীয়া) শিশুটি আৰু আঁঠু লৈ আনবোৰ শিশু। হাৰীতীক সদায় ভাত দিয়া হৈছিল। জাপানত হাৰীতীক শিশুবিলাকৰ দেৱী আৰু পৃথিৱীৰ ৰক্ষয়িত্ৰী দেৱী বোলা হয়। তেওঁৰ লগত থাকে হয় সেই নুমলীয়া সন্তানটি, নহয় ছজনী ছোৱালী। হাৰীতী বিশেষকৈ ষষ্ঠীজাতীয়া দেৱী।

হাৰীতী নামৰো সুন্দৰ ব্যাখ্যা আছে। চীন অনুবাদত যক্ষীৰ প্ৰথম নাম বোলা হৈছে হুয়ান্‌ছী—অৰ্থ আনন্দ। তেওঁৰ নিজৰ সন্তানৰ কাৰণে ৰাজকোঁৱৰসকলক চুৰ কৰি নিয়াৰ কাৰণে নাম হল হাৰীতী। হুয়ান্‌চী পোনতে ৰাজঘৰীয়া অধিষ্ঠাত্ৰী দেৱী আছিল। হিয়েনচাঙে তক্ষশিলাৰ ২০ মাইল উত্তৰে হাৰীতীৰ নতুন ধৰ্ম্মত দীক্ষাৰ



স্থান নিৰ্দ্দেশ কৰে। সেই হৈছে গান্ধাৰ প্ৰদেশ। বিহাৰত হাৰীতী-মূৰ্ত্তি কুবেৰৰ ঠিক সমুখত থাকিছিল বুলি কয়। জাভাতো হেনো সেয়ে। চীনত হাৰীতী আৰু কোৱান্-ইন্ দেৱী এক হৈ গ'ল আৰু দেৱীৰ নাম হ'ল—সুঙ্গসীৎ (যষ্ঠীদেৱী)। তুৰফানতো ঠিক এয়ে।

যক্ষী হাৰীতীৰ স্বামী হ'ল যক্ষৰাজ। যক্ষৰাজ একান্ত ভক্ত-উপাসক বৈশ্ৰাৱণ কুবেৰ।

বিপ্লৱী নাৰী

স্থান—অসম দেশ

কাল—মানৰ শেষ আক্ৰমণ

গল্প— —শ্ৰীবীণা বৰুৱা

—"আইচু-দেউতা! ওলাবৰ সময় হল, নাও মেলিবলৈ নাৱৰীয়াহঁতে লৰা-খেদা লগাইছে।"

—"দেউতাৰক তুলিবলৈ যো-জা কৰা হৈছে নে?"

—"আইচু দেউতা উঠিলেই দেউতাকো ডাং-দোলা কৰি নিমিষৰ ভিতৰতে নিয়া হব।"

—"দেউতাৰে চকু মেলিছে নে?"

—"নাই মেলা, এবাৰ মাথোন টোপনিতে কিবা কৈছিল।"

—"নাৱত আৰু কোন কোন যাব?"

—"চৈতনসিং চুবাদাৰৰ ভতিজাক আৰু পাঁচজন শিখ চিপাহী। এখন নাৱত ডাঙৰীয়াৰ গা-ৰখীয়ায়ে ভৰি পৰিছে।"

—"বস্ত্ৰ-বস্তুৰ ভাৰ কাৰ ওপৰত গতোৱা হৈছে?"

—"প্ৰধান বিষয়াই সকলো বুজি-বাজি লৈছে। চুবাদাৰেও তেওঁক সহায় কৰিছে।"

—"তহঁত তিনিওজনী লিগিৰী ডাঙৰীয়াৰ ওচৰতে অহৰহ থাকিবিদেই। দেউতাৰৰ ভাল হলে তাৰ বানচ বঢ়িয়াকৈ পাবিহঁক।"

—"কিয়? আইচু-দেউতা জানো সুকীয়া নাৱত যাব?"

—"ওহোঁ, আইচু-দেউতাৰ নাযায়ে।"

—"অ আই! ইনো কি কথা!

—"সঁচা কথাকেই কৈছোঁ। স্বামীৰ কৰ্ত্তব্য ভাৰ এতিয়া মোৰ ওপৰত। ৰজাৰ আজ্ঞা প্ৰাণ দিও পালিবলৈ যত্ন কৰিম।"

—"অ' মোৰ ৰাম! তিৰোতা মানুহ গৰাকীয়ে চকীটো কেনেকৈ পহৰা দিব! আজিৰ যুঁজতে আমাৰ যুঁজাৰুহঁত তেনেই জুকলা জুপুৰা হ'ল। কালিলৈ পুৱাতে নৰকীহঁতে আমাক তহিলং কৰিবহি। আইচু-দেউতাক এই আদেশ দিবলৈ সৰ্কদেউৰ মতিভ্ৰম হল নেকি? নিজে নিজে ইপিনে তৰা-নৰা ছিঙি লৰ দিছে।"

—"অকল স্বৰ্গদেৱৰে আজ্ঞা নহয়; ই মোৰ স্বামীৰ আদেশ। মোৰ জন্মভূমিৰ আহ্বান। তহঁত যাগৈ আৰু পলম কৰিবৰ সময় নাই। মোলৈ বাতৰি পঠোৱাৰ আয়োজন কৰিয়ে থৈছোঁ। তহঁত বেগাবেগিকৈ ওলাগৈ।"

চাওঁতে চাওঁতে, সেই মাজনিশা কোনেও নজনাকৈ কোঠৰ পৰা এজুম মানুহ বাজ হ'ল। ঘাটত মাৰনাও বন্ধা আছিল। আটায়ে সেই পিনেই খোজ ললে। তেওঁলোকৰ লগতে এজন মানুহ সাঙ্গীত তুলি নিয়া হৈছে। তেখেতেই হলীৰাম দুৱৰীয়া ফুকন। ভাটীফালে মুখ কৰি মাৰনাও এৰি দিলে। কোঠৰ ওপৰৰ পৰা কোনোবা এগৰাকীয়ে সেই ফালে ৰ' লাগি চাই ৰ'ল।

জয়পুৰত পাতাল বৰবৰুৱাই মান ভেটিবলৈ কোঁঠ মৰা দেখি মিঙিমাহাই কথাটো গম ধৰিব পাৰিলে। মান সেনাই ছল কৰি বৰবৰুৱাক বধ কৰিলে। তাৰ পিছত বানপানীৰ ঢল অহাদি মানসেনা আহি অসম বুৰাই পেলালে। মানৰ অভিসন্ধি বুজি চন্দ্ৰকান্ত সিংহদেৱ ভটীয়াই পলাই গল। মিঙিমাহাই একো হকা-বধা নোপোৱাকৈ আগবাঢ়ি আহিবলৈ ধৰিলে। চন্দ্ৰকান্ত সিংহদেৱৰ আজ্ঞা অনুসৰি উজনিত কলিবৰ বুঢ়াগোহাঞে মানক আগভেটা দিলে। এমুঠি অসমীয়া সৈন্যই ৰক্তপিপাসু এই সৈন্যসকলৰ আগত

কেনেকৈ তিষ্ঠিব? বৰগোহাঞি ডাঙৰীয়া মানৱ হাতত বন্দী হ'ল। বাজ্য অবাজক দেখি মানহঁতৰ মন আনন্দত নাচি উঠিল। কিন্তু মিডিমাহাই দেখাদেখিকৈ অসমীয়া প্রজাক অত্যাচাৰ কৰিবলৈ ভাল নাপালে। লোক দর্শক-ৰূপে তিলোৱাহি বগা কোঁৱৰৰ পুতেক যোগেশ্বৰক বাজ্যত স্থাপি, নিজেই শাসন কৰিবলৈ উঠি-পৰি লাগিল।

মান সেনাপতিয়ে সৈন্যবিলাক তিনি ভাগত ভগাই অসম ছাৰখাৰ কৰিবলৈ লগাই দিলে, মানৱ অত্যাচাৰত প্রজাৰ দুখ-দুর্গতি কুলাই-পাচিয়ে মদবা হল। কোনো কোনোৱে হাবি-পৰ্ব্বতত সোমাই দিন নিয়াবলৈ ধৰিলে। মানুহৰ উৎপীড়ন দেখি গছ-গছনিবো চকুৰ লো ৰবলৈ ধৰিলে। যি দেশত ৰজা নাই, সেই দেশত শান্তি ক'ত? শৰীৰত শক্তি নহলে মুক্তিৰ পথ বিচাৰি পোৱা টান। যি অসম বাহিনীয়ে প্রবল প্রতাপী মোগল শক্তিৰ দর্প চূর্ণ কৰিছিল সেই আহোমী শক্তি আজি ক'ত? ক'ত আজি বিজয়ীবীৰ অসম সেনানি?

উজনি অঞ্চলত মানে লুটি-পুটি মানুহৰ সর্ব্বস্ব হৰিলে। তাৰপৰা মানহতে ভটীয়ই গুৱাহাটীৰ পিনে ৰওনা কৰিলে। তেতিয়া চন্দ্রকান্ত সিংহদেৱ গুৱাহাটীতে আছিল। মান অহা গম পাই স্বর্গদেউ আৰু ভটীয়াই আগবাঢ়িল। কিন্তু স্বর্গদেউৰ লগৰ ভালমান মানুহ পাছ পৰি ৰব লগা হল। স্বর্গদেউৰ সেইসকলৰ ৰক্ষাৰ ভাৰ হলীৰাম ডুৱৰীয়াৰ হাতত দি গল। ডুৱৰীয়াই ৰঙ্গাদহটীত এটি কোঁঠ মাৰি, তাতে অপেক্ষা কৰি ৰল। ডুৱৰীয়াৰ লগত চৈতন সিং চুবাদাৰকে আদি কৰি প্রায় তিনশমান শিখ চিপাহী আছিল। স্বর্গদেউৰ অসমীয়া সৈন্যৰ ফৌজ এটিও তেওঁৰ তলত দি যায়। মানসেনা হাজিবা পাওঁতেই ডুৱৰীয়াৰ সৈন্যৰ সৈতে তয়াময়া যুঁজ লাগিল। ভালেখিনি পৰৈলৈকে কোন জিকে কোন হাৰে তাৰ একো নিশ্চয়তা নাছিল। ডুৱৰীয়াই নিজেই সেনাপতিৰ ভাৰ লৈ ৰণ পৰিচালনা কৰিছিল। ডুৱৰীয়াৰ ৰণকৌশল মানসেনাইতে আচবিত মানিছিল। কিন্তু সন্ধিয়া পৰত কোনোবা এটা মানসেনাই ডুৱৰীয়াক পাছ ফালৰ পৰা আক্রমণ কৰি ঘাইল কৰে। বাকী অসমীয়া সেনাবিলাকে ডুৱৰীয়াক লৈ কৌঠত সোমাল। ডুৱৰীয়াই জ্ঞান হেকৰালে।

অসমীয়া ৰণুৱাসকলে কৌঠৰ পৰা সেই ৰাতিয়েই পলাই যাবলৈ স্থিৰ কৰিলে। এমুটি সেনাই নো আকৌ পুৱা মানহঁতৰ সৈতে কেনেকৈ যুঁজিব? বিশেষতঃ ডুৱৰীয়াৰে এই অৱস্থা। কিন্তু ডুৱৰীয়াৰ দৈবীয়েক এই প্রস্তাত মাস্তি নহল। তেওঁ নিজেই পিছদিনা কোঁঠ ৰক্ষা কৰিবলৈ সাজু হল। কিন্তু পৰাজয় দিবাং জানি ডুৱৰীয়ানীয়ে গিৰীয়েকক মানৱাৰত তুলি ৰাতিয়েই ভাটীলে পঠিয়াবলৈ যো-জা কৰিলে। ৰঙ্গাৰ আদেশ আৰু স্বামীৰ কর্ত্তব্য শিৰত তুলি মুক্তাৰ সাৰটি লবলৈ অসমীয়া বীৰাঙ্গনা সাজু হল।

পুৱাৰ লগে লগে ৰণভেৰি বাজি উঠিল। মানসেনাৰ আনন্দৰ পাৰ নোহোৱা হল। আজি সিহঁতে যি কোনো উপায়েৰে হওক কোঁঠ অধিকাৰ কৰিব। ইমান কষ্ট দিয়াৰ বাবে কোঁঠৰ প্রাণীসকলক ভালেকে এহেকা দিহে এবিব। কোঁঠৰ দুৱাৰমুখত আছি মানসেনাই চিঞৰ বাখৰ কৰিবলৈ আৰম্ভ কৰিছে। চাওঁতে চাওঁতে কোঁঠৰ দুৱাৰ মেল খালে। দুবৈৰ পৰা মানসেনাই চিঞৰি উঠিল। কিন্তু অলপ পিছতে সকলো বিস্ময়ত অভিভূত হল। অসমীয়া সেনাৰ সেনানায়ক এজনী তিৰোতা। মান-হঁতৰ বুকু কঁপি গল। অসমীয়া সেনাই গৰজি উঠিল। তিৰোতা গৰাকীয়ে সৈন্যসকলক কোঁঠৰ চাৰিওফালে শাৰী পাতিবলৈ আদেশ দিলে। তিৰোতা গৰাকীয়ে নিজেই হেংডাং লৈ আগবাঢ়ি গল। এমুটি অসমীয়াই বুকুত শত-সহস্র সেনাৰ বল পালে। মাতৃৰ সম্মান ৰক্ষা কৰিবলৈ সকলোটি আগবাঢ়ি গল। কাৰ সাধ্য তেওঁ লোকৰ গতি ৰোধ কৰে! মাতৃয়ে নিজেই যেতিয়া ৰক্তৰ নিমিত্তে হেংডাং ধৰিছে, তেতিয়া পুত্রৰ শক্তি ক'ত লুকাই থাকিব? অসমীয়া তিৰোতাৰ সাহ-বল দেখি মানহঁতে পিছ হোঁহোকা দিবলৈ ধৰিলে। মানহঁতে ভাবিলে কোনোবা ডাইনী-যৱিনী আহি সিহঁতৰে সৈতে যুদ্ধ কৰিছেহি। প্রাণতকৈ তো ধন-বস্তৰ মোহ ডাঙৰ নহয়। তিৰোতা গৰাকীক লগ পালে মানহঁতে হাতৰ অস্ত্র দলিয়াই পেলাই দি ভিৰাই ধৰি লৰ মাৰে। এই কাৰণেই মান সেনা যুদ্ধত সিঁচতি-বিঁচতি হৈ পৰিল। সেইদিনাও মান-হঁতে কোঠ অধিকাৰ কৰিব নোৱাৰিলে।

* * *

"পলা! পলা! পলা! কোন ক'ত আছাঁহক পলা। মানসেনা কোঠৰ ভিতৰ সোমাহি। এই দুপৰ ৰাতি ইহঁতক কোঁঠৰ দুৱাৰ মেলি দিলে কোনে?"... কোঁঠৰ ভিতৰত হুলস্থূল লাগি পৰিল। যি যেনি পালে তেনিয়েই লৰ ধৰিলে। মানসেনায়ো যাকে ৰ'ত পালে কচু কটা দিবলৈ ধৰিলে। টোপনিত থকা ভালেমান ৰণুৱাৰ সেই পিনেই চিৰনিদ্রা হ'ল। লৰা-ছোৱালী আৰু তিৰোতাৰ আর্ত্তনাদত হুলস্থূল লাগি পৰিল। এনেতে হাতত জোঁৰ লৈ এদল অসমীয়া সৈন্যই গৰজি উঠিল। জোৰৰ পোহৰত প্রকাশ পালে সেই নায়িকাৰ গম্ভীৰ মুখ। আদেশ প্রচাৰ হ'ল—"নপলাবা, নপলাবা। অসমীয়া সেনাৰ মুখত কাপুকষৰ বাণীয়ে শোভা নাপায়। হিংহকে আগত পোৱা তাবেই শত্রুক আক্রমণ কৰা। চোৰৰ দৰে কাপুকষহঁত কোঁঠত সোমাইছেহি। জয় হলেও জগতে সিহঁতৰ পৰাজয়হে ঘোষিব।" হুমাৰ খোজা দুই ৰণ্ডেকৰ নিমিত্তে আকৌ ভমক-কৰে অলি উঠিল। গতি বিষম দেখি মানহঁতে তিৰোতা গৰাকীক বন্দী কৰিবলৈ চেষ্টা কৰিলে। ভালেমান পৰৈলৈকে অসমীয়া যুঁজাকৈতে আইদেউক বেৰি ধৰি ৰক্ষা কৰি আছিল। লাহে লাহে এটি এটিকৈ আটাই কেইটি অসমীয়া সেনা বাগৰি পৰিল। আইদেউও আত্মৰক্ষাৰ নিমিত্তে অশেষ চেষ্টা কৰিলে, শেষত তেৱোঁ ভাগৰি পৰি মানহতৰ বন্দী হল। কোঁঠৰ অসমীয়া প্রজা যি ৰ'ত আছিল সকলোৱে নিচুব মানৰ হাতত প্রাণ এৰিলে। কোঁঠ মানৰ ৰং-তামচাৰ আবাসত পৰিণত হ'ল।

আইদেউৰ মুদ্ধপুটুতাত আৰু সাহ বিক্রমত মানহত হিঁচাঁকৈয়ে আচবিত হৈছিল। সিহঁতৰ দৃঢ় বিশ্বাস যে তেওঁ নিশ্চয় যাদুবিদ্যা জানে। গতিকে সিহঁতে তেওঁক সন্মানেৰে সৈতে কোঁঠতে নজৰবন্দী কৰি ৰাখিলে। ক্রমে দেশ লুটিপুটি মানহতৰ ভাগৰ ধৰিছিল, স্বর্গদেউ চন্দ্রকান্তসিংহে সৈতে সন্ধি পাতিবলৈ মন মেলিলে। স্বর্গদেউক বাজ্যভাৰ গতাই দি যথোচিত কৰ-কাটল আৰু বয় বস্ত্র সংগ্রহ কৰাই সিহঁতৰ মুখ্য উদ্দেশ্য। কিন্তু মানহঁতৰ প্রতিশ্রুতি পায়ো স্বর্গদেউৰ সেই কথাত বিশ্বাস স্থাপন নকৰিছিল। দুর্দ্দমনীয় মানহঁতে ছল-চাতুৰী কৰি বন্দী কৰিব বুলি ভয় কৰি সদাই তেওঁ আঁতৰি আছিল। মানহঁতে এতিয়া স্বর্গদেউক দুচুলাই অনা ভাৰ আইদেউক দিবলৈ স্থিৰ কৰিলে। প্রথমে সিহতে তেওঁক স্বর্গদেউ ক'ত আছে সুধিলে, আৰু সঠিক উত্তৰ নিদিলে তেওঁৰ ওপৰত অমানুষিক অত্যাচাৰ কৰা হব বুলিও জনাই থলে। তাৰ উত্তৰত সিংহিনীৰ দৰে গর্জ্জি উঠি তেওঁ মাত লগালে, "কাপুকষহত! তহঁতৰ অত্যাচাৰবলৈ অসমীয়া তিৰোতাই ভয় নকৰে। ৰঙ্গাৰ কাৰণে আৰু দেশৰ নিমিত্তে কেনেকৈ মৰিব লাগে, আমি বুজ পাওঁ, অধমবীৰত! তহঁতে আমাক নকৈ কি শিকাবলৈ আছিহা?"

মানসেনাইতৰ বুকু কঁপি গল। সিংহৰ ভেটত শিয়ালৰ ৰাও। এজনী অসহায়া ৰমণীৰ ইমান তেজ! শ্রদ্ধাত দলপতিৰ মূৰ দোঁ খাই গল। যি জাতিৰ তিৰোতাৰ বুকুত ইমান বল সেই জাতি কেতিয়াবা পৰাধীন হৈ থকা সম্ভৱনে? চকুৰ দলপতিয়ে আকৌ ন-ফাং পাতিবলৈ যো-জা কৰিলে। এইবাৰ দেখুৱালে নানা প্রলোভনৰ সামগ্রী। আইদেউক মানসেনাপতিৰ পত্নী কৰি গোটেই অসমৰ অধীশ্বৰী কৰিব। মুঠেই স্বর্গদেউক ধৰাই দিয়াৰ লাগে। ইয়াতকৈ আৰু কিবা ডাঙৰ প্রলোভন হব পাৰেনে? আইদেউ কিন্তু তাতো নটলিল, হাঁহি মাৰি সেই প্রলোভনৰ চেষ্টা উকৰাই দিলে। দলপতিৰ কাকুতি-মিনতি সকলো অথলে গল। এইবাৰ পাষাণৰ হৃদয় আৰু টান হল। স্বর্গদেউক ধৰিব নোৱাৰিলে মানহঁতে অসমৰ ইমুৰৰ পৰা সিমুৰলৈকে জুই লগাই দিব। অসমীয়া মানুহ নাগাংগে, গোটেই অসমবেই অস্তিত্ব নাথাকিব, সকলো ছাৰখাৰ কৰি দিব। অসম-ভূমনি শ্মশানত পৰিণত কৰিব, মানৱ দৃঢ়প্রতিজ্ঞা! হয় জয়, নহয় ধ্বংস। নৰকত দুৱাৰ মুকলি হৈছে। মহাপ্রলয়ৰ আৰম্ভণি। খাণ্ডৱদাহৰ অগনিৰ শিখা এতিয়াও হুমুহা নাই। আজি আকৌ...

আইদেউ আৰু থিবেলে থাকিব নোৱাৰিলে। তেওঁৰ নাম কৈ স্বৰ্গদেৱক মাতি পঠিয়াবলৈ গাত ললে। কিন্তু দূত ছিগাপে তেওঁ অসমীয়া সেনাকহে পঠিয়াব। মানহতে শুনাকৈ আইদেৱে স্বৰ্গদেৱলৈ কৈ পঠিয়ালে, "আপোনাৰ আজ্ঞা পালি ইমানদিন কোঠ বখা কৰি আছোঁ, এতিয়া স্বৰ্গদেৱে নিজে আহি কোঠ অধিকাৰ কৰিলেহিয়েই হয়। মানসেনাৰ উপদ্রৱৰ কোনো ভয়ৰ কাৰণ সম্প্রতিকে এই স্থলত নাই।" মানহতে আইদেৱৰ সৰল কথাত বিশ্বাস কৰিলে। তেওঁ যে এই কথাৰ বাহিৰে অন্য বাতৰি দিব সিহতে আশাকে কৰা নাছিল। কিন্তু আইদেৱে গোপনে দূতৰ আগত কৈ পঠিয়ালে যে মানসেনাক তেওঁ আমোদ প্রমোদত মতলীয়া কৰি বাখিব ; স্বৰ্গদেৱে সৈন্য সামন্ত গোটাই সোনকালে সিহতক আক্রমণ কৰকহি। আইদেউৰ বতৰা লৈ স্বৰ্গদেৱক বিচাৰি দূতে গুৱাহাটী ভটীয়াই বাট বুলিলে। অভীষ্টসিদ্ধিৰ বাট মুকলি হ'ল বুলি মানহতৰ আনন্দৰ পাৰ নাইকিয়া হ'ল।

নাৰীৰ মহিমা বুজা অসাধ্য। তীক্ষ্নবুদ্ধি আৰু কার্য্য-কুশলতাত তেওঁলোক অদ্বিতীয়। বাহ্যিক সৌন্দর্য্যত যেনেকৈ অতুলনীয় সেইদৰে কার্য্যদক্ষতাত তেওঁলোকৰ পটুতা সীমাহীন। সমাজৰ চকুত ধূলা মাৰি তেওঁলোকে অসম্ভৱ কার্য্যও সমাধা কৰিব পাৰে। বাহুত পাষাণৰ দৰে বল নহয় পাৰে, কিন্তু হৃদয়ত তেওঁলোকৰ অসীম শক্তি। তেওঁলোক অকল ভোগৰ সামগ্রী নহয়, লাহবিলাহৰ উপাসক নহয়। কর্ত্তব্যৰ আৰু শক্তিৰ আন এটা নাম হৈছে নাৰী। নাৰী জাতি জাগ্রত হলে জগতত এটি অসাধাৰণ পৰিবর্ত্তন আনিব পাৰে। তেওঁলোকেই ধুমুহা দৰে মেদিনী কঁপাই, বজ্ৰ দৰে বিঘিনি উৰাই মাকুষজন আহতি দিয়ে। আইদেৱেও দেশৰ এই দুর্দ্দিনৰ ধুমুহা আঁতৰাবলৈ চেষ্টা, কৰিবলৈ ধৰিলে। আইদেৱৰ ছল-চক্রান্তত পৰি মানহতে আমোদ প্রমোদত গা ঢালি দিলে। মদ মঙহত বাতি দিন সিহত মজি গ'ল। নিজৰ অস্তিত্ব বিষয়েই সিহতে পাহৰিবলৈ ধৰিলে। ধোৱা, পিয়া আৰু স্ফূর্ত্তি কৰাই হ'ল সিহতৰ জীৱনৰ ব্রত। বণৰ কথা সিহতৰ মনৰ পৰা আতৰ হল। এই সুযোগ পাই, আইদেৱে মানহতৰ অস্ত্র-শস্ত্রবিলাক লুকুৱাবলৈ ধৰিলে। তেওঁ যিমান পাৰে মানহতক সংসাৰৰ কথাৰ পৰা দূৰত বাখিবলৈ দেহে কেহে লাগি গল।

..."আহোম! আহোম! চাৰিওফালে আহোমে আগুৰি ধৰিছেহি, কোঁঠৰ দুৱাৰ জপাই দেইক। অস্ত্রবিলাক গল ক'লে? ক'তা, কোঁঠৰ ভিতৰত তো বন্দুক বাৰুদ একো নাই। এইবোৰ কোনে নিলে? ই নিশ্চয় ডাইনীৰ কাম। কোনে পাৰ তাইক বন্দী কৰ। যেনে আদেশ তেনে কাম। আইদেউক চুলিত ধৰি সেনা এটাই টানি আনিলে। অন্য কেইটামানে তৰোৱাল লৈ কাটিবলৈ আগবাঢ়ি গ'ল। হঠাতে দণ্ডপতিৰ আদেশ হ'ল—"ধৰ্দ্ধাব! নাৰীৰ গাত হাত নিদিবি।" আগবাঢ়ি যোৱা সৈনিক থমকি ৰ'ল। দলপতিৰ হুকুমমতে কোঁঠৰ ভিতৰত ওধৈ এখন তৈয়াৰ কৰা হ'ল। তেওঁৰ আদেশমতেই সৈনিক এজনে তাৰ ওপৰত উঠি চিঞৰি কবলৈ ধৰিলে—"আহোম সেনাপতি! তোমালোকে যদি আমাক নিৰাপদে কোঁঠৰ পৰা ওলাই যাবলৈ দিয়া, তেনেহলে তোমালোকৰ দুৱৰীয়ানীক আমি বধ নকৰোঁ। আৰু তাকে নকৰিলে তেওঁক কোঁঠৰ ভিতৰত জুই দি পুৰি মাৰিম।" আহোম সেনাপতিয়ে সৈনিকক অলপ পৰ অপেক্ষা কৰিবলৈ কৈ নিজৰ ভিতৰতে আলোচনা কৰিবলৈ লাগিল। অলপ পৰৰ পিছত আহোম সেনাপতিৰ দূতে চিঞৰি কবলৈ ধৰিলে—"মানসেনাপতি! তোমালোকে যদি আইদেউক কষ্ট নেদোৱাকৈ কোঁঠৰ ওপৰত বান্ধি থোৱা—তেনেহলে আমি নিৰাপদে তোমালোকক যাবলৈ দিম। কিন্তু আইদেৱৰ দেহত হাত লগালে তোমালোকৰ নিস্তাৰ নহব।" মানসেনাপতিৰ আদেশত আইদেউক কোঁঠৰ ওপৰত বান্ধি থোৱা হল। তাৰ পিছতেই সন্ধিৰ ভেৰি বাজি উঠিল। আইদেউে আহোম সেনাপতিক তেওঁৰ জীৱন বিপন্ন কৰিও মানহতক কচু কটা দিবলৈ অনুৰোধ কৰিলে। কিন্তু এনে এগৰাকী তিবোতাৰ মৃত্যু আহোমসেনাপতিৰ কল্পনাতীত। আহোমৰ পৰাজয় আৰু লাঞ্ছনা হলেও আইদেউৰ মৃত্যু তেওঁ কামনা কৰিব নোৱাৰে। লাহে লাহে কোঁঠৰ দুৱাৰ মেল খালে। মানৰ সলনি আহোম সেনাই কোঁঠ ভৰি পৰিলহি। আইদেৱে মুক্তি লভিলে।

এই আহোমসেনাৰ লগত স্বৰ্গদেউ অহা নাছিল। মানহতে ছল কৰি তেওঁক বন্দী কৰে বুলি তেওঁৰ ভয় হৈছিল। মানহত পলাই যোৱা বাতৰি যেতিয়া তেওঁৰ কাণত পৰিলগৈ, তেতিয়া তেওঁ উজাই আহিবলৈ যো-জা কৰিলে। সেই সময়তে কাপ্তান ডেভিচডন্ চাহাবৰ অধীনত ওয়ালপাবাত ভালেমান ইংৰাজ সেনা আছিল। কাপ্তানক খুজি স্বৰ্গদেৱে তাৰে এটা ফৌজ শৰীৰ বক্ষক হিচাপে লগতে লৈ আহে। কেইদিনমানৰ অন্তত তেৱোঁ আহি বঙ্গাজহাটৰে কোঁঠত হাজিৰ হয়। স্বৰ্গদেৱৰ আগমনত কোঁঠত আনন্দভেৰি বাজি উঠিল।

স্বৰ্গদেউৰ লগত বগা সৈন্য অহা দেখি আইদেউৰ মনত কেনেবা কেনেবা লাগিল, কিহবাৰ আশঙ্কাত তেওঁৰ গা ৰিকাৰ খাই উঠিল, প্রফুল্ল মনত বিষাদৰ কালিমা বেধাবে কোনোবাই বোল দি গ'ল। বাতিদিন তেওঁ অনৱৰত সপোন দেখিবলৈ ধৰিলে। দেশৰ পৰা জানিবা ধৰলোবিলাক অত্যাচাৰ উপদ্রৱ দূৰ হ'ল। বাহিৰ জগতত সকলো যেন নিমাত নিতাল। আগৰ আৰ্ত্তনাদ এতিয়া উচ্চধ্বনিত পৰিণত হৈছে। মানৰ হাতত অসমীয়াৰ তেজৰ নৈ বৈছিল, এতিয়া কোনোবাই যেন শুহি শুহি অসমীয়াক মিঠেজ কৰি পেলাইছে। অসমীয়াৰ আগৰ সেই কণলাবণ্য নাই, আগৰ সেই শক্তি শূন্য। অস্ত্র দেখিলে অসমীয়াই ৰবি পলায়, যুদ্ধৰ নাম শুনিলে কাণত হাত দিয়ে। বগাসৈন্য বিনাকে যেন অসমীয়াক পহৰা দি ৰাখিছে। দেৱতাৰ দৰে তেওঁলোকে অসমীয়াৰ পৰা মান পাইছে। তেওঁলোকক সন্তুষ্ট কৰাই যেন অসমীয়াৰ অপৰিহার্য্য কর্ত্তব্য। গধাৰ শস্ত, গোহালিৰ গাখীৰ, পুখুৰীৰ মাছ, ৰবধৰৰ বয় বস্তু—সোপাকে তেওঁলোকৰ পূজাৰ নিমিত্তে আগ-বঢ়োৱা হৈছে। অনশন অনাহাৰত অসমীয়াই মুখ ফুটাই কথা কব পৰা নাই। ই কি সপোন? আইদেৱে আৰু সহ্যিৰে থাকিব নোৱাৰিলে। বগা ইংৰাজ সৈন্যসকলক শুভাতাই পঠিয়াৰৰ নিমিত্তে তেওঁ স্বৰ্গদেউলৈ বাতৰি পঠিয়ালে। বুদ্ধিমতী আইদেৱে জনালে যে স্বৰ্গদেৱে শিয়ালৰ গাতৰ পৰা ওলাই সিংহৰ গাতত প্রবেশ কৰিছে। এইবাৰ আত্মসম্মান বজাই ৰখাও তেখেতৰ অসাধ্য হব। ভ্রান্তনাৰীৰ প্রলাপ বুলি স্বৰ্গদেৱে আইদেউৰ কথা উৰাই দিলে।

স্বৰ্গদেউৰ ব্যৱহাৰত আইদেৱে বেজাৰ পালে। দিন পাঁৰ হোৱাৰ লগে লগে বগাসৈন্যবিলাক তেওঁ ৰুচকু পাৰি দেখিব নোৱাৰা হ'ল। বজাৰ পৰা সুবিচাৰ নাপাই তেখেতেই ইয়াৰ প্রতিকাৰ কৰিবলৈ আলচ পাতিলে। দুৱৰীয়াকুকন তেতিয়াও যোগীঘোপাতেই আছিল। আইদেৱে সকলো বিষয়ে তেওঁলৈ গোপনে বাতৰি পঠালে। সেই সময়ত উত্তৰপবীয়া মানুহবিলাকে মুঠ বান্ধি মানহতৰ বিপক্ষে মড়ঘয় কৰিছিল। উত্তৰপবীয়াসকলক আৰব আৰু ডফলাইতেও সহায় কৰিবলৈ প্রতিশ্রুতি দিছিল। এইসকলৰ সহায় লৈ বগা সৈন্যসকলক প্রথমে খেদি তাৰ পিছত মানে সৈতে যুঁজিবলৈ আইদেৱে পৰামর্শ দি পঠিয়ালে। অকল পৰামর্শ দিয়েই তেওঁ ক্ষান্ত নাছিল। সেই সময়ত কোম্পানীৰ সৈন্যৰ ব্যৱহাৰত বিচুষ্ট হৈ কাছাবত এটি বিপ্লৱীদল গঠিত হৈছিল। আইদেৱে তলে তলে সন্তোষ লৈ তেওঁলোকেলৈ সহায় বিচাৰি পঠিয়ালে। কাছাবৰ মানুহবিলাকেও বঢ়িয়াকৈ বুজিছিল যে অসম দেশত মানৰ অত্যাচাৰ দিনে দিনে কমি আহিছে। মুঠ বান্ধি মানক শোকোতা দিব পৰা দলো ঠাঁয়ে ঠাঁয়ে গঠিত হৈছে। এনে সময়ত কোম্পানিৰ সহায় বিচাৰিলে, কালত তেওঁলোকেই গোন্তত গজালি মেলিবগৈ। তেনেহলে কাছাবৰ বি মুক্তিৰ আশা আছিল, সিও লোপ পাব। উজনিৰ ফালে থকা ডেকা যুদ্ধাৰৰ দল এটিটেনকো আইদেৱে সম্বাদ পঠিয়ালে। স্বৰ্গদেৱে এই মড়ঘয়ৰ ভূকে নাপালে।

চাওঁতে-চাওঁতে এটি-দুটিকৈ অসমীয়া বণুৱা কোঁঠলৈ আহিবলৈ ধৰিলে। স্বৰ্গদেৱে ভাবিলে তেওঁক সহায় কৰিবলৈহে অসমীয়া যুঁজাকসকল গোট খাইছেহি। কিন্তু ন'কৈ অহা বণুৱাহতে আইদেউৰহে বুদ্ধি পৰামর্শ মতে চলিবলৈ ধৰিলে। তেওঁলোক অহাৰ পৰা আইদেৱে কোম্পানীৰ সৈন্যসকলক ঘণাৰ চকুৰে চোৱা হ'ল।

কোম্পানীৰ সৈন্যই আইদেউৰ মনত দুৰভিসন্ধি আছিল বুলি আগৰেপৰাই অনুমান কৰিছিল ; এতিয়া সি গাঢ়তৰ হবলৈ ধৰিলে। কোম্পানীৰ সৈন্যৰ লগত চোৰাংচোৱা থকা সাধাৰণ কথা। দেশৰ চাৰিওপিনে চোৰাংচোৱাই পিয়া-পি দি ফুৰিবলৈ ধৰিলে। গোৱালপাৰা আৰু কাছাৰত থকা কোম্পানীৰ বা-বিষয়া সকললৈ তুৰন্তে এই বাতৰি পঠিৱা হল। আইদেউৰ বিপক্ষে তলে তলে কোম্পানীৰ চাহাবে সাক্ষী আৰু প্ৰমাণ গোটাবলৈ দিহা কৰিলে। দৈৱ-দুৰ্বিপাকত কাছাৰলৈ যোৱা দূত চোৰাং-চোৱাৰ নজৰত পৰিল। কোম্পানীৰ চাহাবৰ হাতত লাঞ্ছিত হৈ কথাৰ সঁফুৰা মেলিবলৈ বপুৰা বাধ্য হল। ক্ৰোধ আৰু প্ৰতিহিংসাত কোম্পানীৰ চাহাবে গুজৰি গুমৰি উঠিল। স্বৰ্গদেউলৈ বাতৰি পঠালে, আইদেউক তেওঁলোকৰ হাতত সমৰ্পণ কৰিব লাগে। নহলে ইংৰাজৰ লগত মিত্ৰতা স্থাপন কৰিবলৈ বিচৰা ব্যৰ্থ হব। এজনী তিৰোতাক বলি দিলেই অসম আকাশৰ ধুঁৱলি-কুঁৱলী দূৰীভূত হব। স্বৰ্গদেউ ডাঙৰ সমস্যাত পৰিল। নিজহাতে আইদেউক নো কোম্পানীৰ হাতত কেনেকৈ গতাই দিয়ে। নিদিলেও উপাই নাই। হিমালয় লৰচৰ হলেও কোম্পানীৰ কথাৰ লৰচৰ নাই। বিপদৰ বেলিকা কোম্পানীৰাজ কষ্ট হব লগা হলে অসমত প্ৰলয় অনিবাৰ্য্য।

গুপ্ত মন্ত্ৰণা বহিল। আইদেউ কোঁঠৰ পৰা পলাই যাব। স্বৰ্গদেৱে বাতৰি পঠালে, পলৰীয়া আইদেউক ধৰি আনি কোম্পানীৰ চাহাবে যি শাস্তি ইচ্ছা কৰে তাকে বিহিব পাৰিব। স্বৰ্গদেৱে ভাবিছিল অসম বননিত আইদেউক বিচাৰি উলিওৱা ইংৰাজৰ পক্ষে অসম্ভৱ হব। কিন্তু কোম্পানীৰ নিমিত্তে অসম্ভৱ বুলিবৰ একো বস্তু নাই। সাত সাগৰ তেৰনদী পাৰ হৈ যি জাতিয়ে ৰাজ্য বিস্তাৰ কৰিব পাৰিছে—সেই জাতিৰ আগত ভুৱা দি এগৰাকী তিৰোতা ক'লৈ সাৰিব? চন্দ্ৰকান্ত! তুমি জীৱনত বহুত ভুল কৰিছিলা, তাৰে ভিতৰত ইও এটি ভুল—মহাভুল! কোম্পানীৰ সহায়ত তুমি মানক পৰাজয় কৰিলা হয়—কিন্তু অসম উদ্ধাৰ কৰিব নোৱাৰিলা। বদনে মাতৃ-মন্দিৰত বিদ্ৰোহৰ অগনি জ্বলালে। তুমি মাতৃক পিন্ধালা দাসত্বৰ শিকলি।

অকলে অকলে আইদেউ যাব ক'লৈ? কেইদিন মান হাবিয়ে-বননিয়ে ঘূৰি ফুৰাৰ পিছত তেৱোঁ চোৰাং-চোৱাৰ হাতত ধৰা পৰিল। বুঢ়াৰ হাতত চেঙেলী। এতিয়া ৰক্ষা ক'ত? সিংহৰ মুখৰ পৰা এৰাই যোৱা হৰিণী আকৌ সিংহৰ হাতোৰাৰ ভিতৰত। ইংৰাজসেনাই ধৰি বান্ধি বিচাৰৰ নিমিত্তে আইদেউক গোৱালপাৰাৰ ছাউনীলৈ পঠিয়াই দিলে। কাপ্তানে বিচাৰৰ ভাৰ হাতত ললে। আইদেউক ষড়যন্ত্ৰৰ বিষয়ে সোধা হল, নিৰ্ভিক-ভাৱে তেওঁ সকলোবিলাক স্বীকাৰ কৰিলে। ইংৰাজসেনাৰ দাম্ভিকতাক গৰিহণা দি আইদেৱে কলে, "আজি অসম সিংহাসনত চন্দ্ৰকান্ত সিংহ নোহোৱা হলে ইংৰাজক অসম সোমাবলৈকে নিদিলোহেঁতেন। অসমৰ দুৰ্কপাল! ভীৰু আৰু স্বাৰ্থপৰ ৰজা আহোম ৰাজপাটত! মুক্তি লভিলে, এতিয়াও মই ইংৰাজক আমাৰ দেশৰ পৰা খেদিবলৈ শেষ চেষ্টা কৰি চাম। হোজা চন্দ্ৰকান্তই চতুৰ কোম্পানীৰ চাতুৰী বুজিব নোৱাৰি নিজেও মৰিব আৰু দেশকো মাৰি থৈ যাব।" ওচৰতে থিয় হৈ থকা কোম্পানীৰ ডেকা চাহাবে এনে টান কথা শুনিবলৈ টান পালে। সোধ পোছ নকৰাকৈ নিমিষতে আইদেউৰ বুকুত হাতৰ জোঙাল তৰোৱালখন সুমুৱাই দিলে। আইদেউ ঢলি পৰিল। চাৰিওফালে তেজৰ নদী বৈ গ'ল। সেই ৰাঙ্গলী নদী পাৰ হৈ বগা সেনাই স্বৰ্গদেউক সহায় কৰিবলৈ লৰি আহিল। ৰাঙ্গলী নৈৰ সোঁত আজিকোপতি তলে তলে বৈয়ে আছে। বগা ঢলৰো অন্ত হোৱা নাই।

টোকা

—শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ, এম্ এ (কলিকতা, অক্চ ফ'ড)

(১)

ভাগৱত

যোৱা কেইসংখ্যা 'আৱাহনত' ভাগৱতখন কোনে ৰচা সেই বিষয়ে আলোচনা হৈছে আৰু কোনোৱে কৈছে বোলে তাৰ ৰচক বোপদেৱ গোস্বামী। এই বিষয়ে আধুনিক গবেষণাসম্মত প্ৰকৃত কথাটো তলত দিয়া হল।

ভাগৱতখন বোপদেৱে ৰচা—এই কথাটো পোনতে উলিয়ায় ইউৰোপীয় পণ্ডিত উইলচন আদিয়ে। দয়ানন্দ স্বামীয়েও বোলে এই কথাকে সমৰ্থন কৰিছে। কথাটো কিন্তু বৰ অদ্ভুত। বোপদেৱে লিখা দুখন কিতাপ প্ৰচলিত আছে—এখন "হৰিলীলা" আৰু ইখন "মুক্তাফল"। প্ৰথম-খনত সংস্কৃত ভাগৱতৰ অধ্যায়বিলাকৰ বিষয়বিলাক চমুকৈ সূত্ৰৰ আকাৰত দিয়া হৈছে। দাৰ্শনিক মধুসূদন সৰস্বতীয়ে তাৰ টীকা লিখি গৈছে। ইখন কিতাপত ভাগৱতৰ কিছুমান শ্লোক বিষয় অনুসৰি সংগ্ৰহ কৰি থোৱা আছে। ত্ৰয়োদশ শতিকাৰ লেখক হেমাদ্ৰিয়ে তাৰ টীকা লিখিছে। মুক্তাফল গ্ৰন্থৰ শেহৰ শ্লোক কেইটাৰ পৰা জনা যায় যে বোপদেৱ আৰু হেমাদ্ৰি সমসাময়িক। হেমাদ্ৰি ত্ৰয়োদশ শতিকাৰ মানুহ বুলি আচাৰ্য্য ৰামকৃষ্ণ ভাণ্ডাৰকৰে তেখেতৰ দাক্ষিণাত্যৰ বুৰঞ্জীত বহুত দিনৰ আগেয়েই প্ৰমাণ দি গৈছে।

ইয়াৰ পৰা দেখা যায় যে বোপদেৱে ভাগৱতৰ সাৰ সঙ্কলন কৰিবৰ চেষ্টা কৰিছে মাথোন। তেওঁ ত্ৰয়োদশ শতিকাৰ মানুহ। ত্ৰয়োদশ শতিকাত ভাগৱতৰ সংক্ষিপ্ত সাৰ প্ৰচাৰ কৰাৰ আৱশ্যক বোধ কৰা হৈছিল। মূল গ্ৰন্থখন তাতকৈ অনেক প্ৰাচীন। হেমাদ্ৰিয়ে তেওঁৰ টীকাত বোপদেৱৰ গ্ৰন্থবিলাকৰ কথা উল্লেখ কৰিছে, তাত তেওঁ ভাগৱতখন ৰচিছিল বুলি কোৱা নাই। তদুপৰি হেমাদ্ৰিৰ আগতো ভাগৱতৰ টীকা আছিল। পৰমহংস-প্ৰিয়া বুলি ভাগৱতৰ এখন টীকাৰ কথা হেমাদ্ৰিয়ে মুক্তা-ফলৰ টীকাত উল্লেখ কৰিছে। এই টীকা আজিকালি পোৱা নাযায়। আনপক্ষে আকৌ হেমাদ্ৰি আৰু শ্ৰীধৰ স্বামীৰ ব্যাখ্যাৰ পাৰ্থক্য দেখা যায়। দ্বিতীয় স্কন্ধ সপ্তম অধ্যায়ৰ 'সিতকৃষ্ণকেশঃ' বুলি এষাৰ কথাৰ ব্যাখ্যা শ্ৰীধৰ স্বামীয়ে যেনেকৈ কৰিছে হেমাদ্ৰিয়ে তেনেকৈ কৰা নাই। বৰং শ্ৰীধৰ স্বামীৰ টীকাত পোৱা ব্যাখ্যাটো ভুল বুলি কৈ আন ব্যাখ্যা দি তৰ্ক কৰিছে। হেমাদ্ৰি আৰু শ্ৰীধৰ স্বামীৰ ব্যাখ্যাৰ পাৰ্থক্যটো আমাৰ সটীকানুবাদ নৈষধচৰিতৰ ইংৰাজী সমালোচনাত (এতিয়া ছপাখানাত) দেখুৱা হৈছে। ইয়াৰ পৰা বুজা যায় ত্ৰয়োদশ শতিকাতে ভাগৱতৰ অৰ্থ লৈ মতভেদ ঘটিছিল। ইয়াৰ বাহিৰেও ত্ৰয়োদশ শতিকাত লিখা চাণ্ডুপণ্ডিতৰ অপ্ৰকাশিত নৈষধচৰিতৰ টীকাত ভাগৱতৰ গোটাদিয়েক শ্লোক প্ৰামাণ্যস্বৰূপে তুলি দিয়া হৈছে। সেই শ্লোকবিলাক বৰ্ত্তমান ছপা ভাগৱতত পোৱা যায়। চাণ্ডুপণ্ডিতৰ টীকা প্ৰায় গোটেইখন আমাৰ পূৰ্ব্বোক্ত গ্ৰন্থত মূল পুথি সংশোধন কৰি দিয়া হৈছে। চাণ্ডুপণ্ডিতৰ দিনত ভাগৱতখন প্ৰাচীন বুলি গণ্য নোহোৱা হলে তেওঁ তাৰ শ্লোক প্ৰমাণস্বৰূপে তুলি নিদিলেহেতেন।

আচাৰ্য্য ৰামকৃষ্ণ ভাণ্ডাৰকৰে আৰু এটা কথা কৈছে। ত্ৰয়োদশ শতিকাত দ্বৈতবাদী আনন্দতীৰ্থই "ভাগবৎ তাৎপৰ্য্য নিৰ্ণয়" বুলি এখন কিতাপ লিখে। তাৰ পৰা ভাণ্ডাৰকৰ মহোদয়ে অনুমান কৰে যে ভাগৱতখন তাৰ অন্ততঃ দুশ বছৰৰ আগেয়ে লিখা। কিন্তু ভাগৱত ইয়াতকৈও প্ৰাচীন বুলি ভাবিবৰ কাৰণ আছে। ভাণ্ডাৰকৰে নিজেই কৈ গৈছে যে ভাগৱতত ৰাধাৰ উল্লেখ নাই আৰু পৰবৰ্ত্তী যুগত ৰাধাৰ আবিৰ্ভাব হৈ

বৈষ্ণব ধৰ্ম্মত বেমেজালি ঘটাইছে। কিন্তু ৰাধা কিমান প্ৰাচীন তাৰ আলোচনা পণ্ডিতসকলে কৰা নাই। আমাৰ পূৰ্ব্বোক্ত গ্ৰন্থত আমি দেখুৱাইছোঁ যে খৃষ্টীয় নবম শতিকাৰ আনন্দবৰ্দ্ধনৰ দিনৰ পৰা দ্বাদশ শতিকাৰ নৈষধচৰিত আৰু জয়দেবৰ গীতগোবিন্দৰ সময়লৈকে অনেক হিন্দু আৰু জৈন লেখকৰ ৰচনাত ৰাধাৰ উল্লেখ আছে। এই বিলাক প্ৰমাণ ইয়াত এতিয়া প্ৰকাশ কৰাৰ সকাম নাই। নবম শতিকাত যদি ৰাধাকৃষ্ণৰ প্ৰেম বৰ্ণোৱা কবিতা পোৱা যায় তেনেহলে ৰাধাৰ আবিৰ্ভাব অন্ততঃ তাৰ কিছুমান দিনৰ আগেয়েই হৈছিল বুলি ধৰিব লাগিব। সেয়ে হলে ৰাধাহীন বৈষ্ণব ধৰ্ম্মৰ আয়তন স্বৰূপ ভাগৱত নবম শতিকাতকৈও প্ৰাচীন বুলি অনুমান কৰিলে ভুল নহব। অকল এয়ে নহয়, পদ্মপুৰাণত ৰাধাৰ কথা অনেক আছে। পদ্মপুৰাণ কিন্তু দ্বাদশ শতিকাতকৈ আগৰ। সেই শতিকাতে নৈষধচৰিতত তাৰ উল্লেখ আছে। বৰাহপুৰাণতো ৰাধাৰ উল্লেখ আছে। বৰাহপুৰাণ কিন্তু একাদশ শতিকাৰ আগৰ, কাৰণ সেই শতিকাতে ৰামানুজৰ গুৰু যামুন মুনিয়ে তেওঁৰ "আগম প্ৰামাণ্য" গ্ৰন্থত বৰাহপুৰাণৰ বচন প্ৰামাণ্য স্বৰূপে উদ্ধৃত কৰিছে। এই বিষয়ে ইয়াত আৰু কোৱাৰ আৱশ্যক নাই। ইয়াৰ প্ৰমাণমূলক আলোচনা আমাৰ ইংৰাজী গ্ৰন্থত কৰা হৈছে।

(২)

"বামানয়"

"আৱাহনৰ" প্ৰবন্ধ দুটাত কোৱা হৈছে যে কীৰ্ত্তন পুথিত বৌদ্ধশাস্ত্ৰক বামানয় বোলা হৈছে। এই বৌদ্ধশাস্ত্ৰ কিন্তু মূল বৌদ্ধশাস্ত্ৰ নহয়। বৌদ্ধ সম্প্ৰদায়ৰ মহাযান, হীনযান আৰু বজ্ৰযান বুলি তিনটা ভাগ আছে। ইয়াৰ ভিতৰত বিশেষকৈ বজ্ৰযানত নানা তান্ত্ৰিক মত আৰু আচাৰ পোৱা যায়। প্ৰাচীন বৌদ্ধতন্ত্ৰ "আৰ্য্য মঞ্জুশ্ৰী কল্পত" নানা তান্ত্ৰিক আচাৰৰ বিবৰণ সংস্কৃত গদ্য পদ্যত লিখা আছে। চীন ভাষাত ইয়াৰ অনুবাদ আছে বুলি কোনো কোনো পণ্ডিতে কয়। ব্ৰহ্মযামল আৰু ৰুদ্ৰযামল আদি প্ৰামাণিক হিন্দুতন্ত্ৰত বশিষ্ঠক তান্ত্ৰিক আচাৰ শিকাইছে বুদ্ধই, আৰু সেই আচাৰৰ নাম হৈছে 'চীনাচাৰ', চীনদেশৰ আচাৰ। ইয়াৰ পৰা হিন্দুতন্ত্ৰ বৌদ্ধতন্ত্ৰৰ ওচৰত কিমান ধৰুৱা দেখা যায়। ইয়াৰ বাহিৰেও তাৰা বৌদ্ধ দেবতা বুলি দ্বাদশ শতিকাত নৈষধচৰিত আৰু আৰ্য্যা সপ্তশতী কাব্যত পোৱা যায়। বুদ্ধদেবৰ পাচত বৌদ্ধধৰ্ম্মৰ নানা পৰিবৰ্ত্তন হয়। তাত নানা তান্ত্ৰিক মত আৰু আচাৰ সোমায়। হিন্দুতন্ত্ৰ আৰু বৌদ্ধতন্ত্ৰৰ বৰ ঘনিষ্ঠ সম্বন্ধ। পুৰণি হিন্দুতন্ত্ৰ "জ্ঞানাৰ্ণব"ৰ এঠাইত বৌদ্ধদৰ্শন পূজনীয় বুলি উল্লেখ কৰা আছে। সি যি হক হিন্দু আৰু বৌদ্ধ উভয় তন্ত্ৰত কিছুমান আপত্তিজনক কথা আছে। এই কাৰণেই বৈষ্ণবসকলে তান্ত্ৰিক আচাৰ ভাল নাপাইছিল। কীৰ্ত্তন পুথিত বৌদ্ধমতক "বামানয়" বোলাৰ কাৰণ এয়ে। শঙ্কৰদেৱে তেওঁৰ সমসাময়িক বৌদ্ধধৰ্ম্মৰ কথা কৈছে মাথোন, মূল পালি ত্ৰিপিটৰ তেওঁ অধ্যয়ন কৰিছিল বুলি আমাৰ বোধ নহয়। অৱশ্যে শঙ্কৰদেৱৰ বিষয়ে কোনো গবেষণামূলক কথা আমি কব নোৱাৰোঁ।

"বামানয়" কি তাৰ যথোচিত ব্যাখ্যা ইয়াত কৰিব নোৱাৰি। তান্ত্ৰিক টীকাকাৰ ভাস্কৰৰায়ৰ "ললিতাসহস্ৰ নামৰ" টীকাত তাৰ বহুল ব্যাখ্যা আছে। দশম শতিকাৰ জৈন লেখক সোমদেব সূৰিৰ যশস্তিলক গ্ৰন্থত প্ৰপঞ্চৰহিত বিশুদ্ধ শৈবধৰ্ম্মৰ দক্ষিণমাৰ্গ আৰু ভুক্তিমুক্তি-দায়ী শৈবমতক বামমাৰ্গ বোলা হৈছে। এই বামমাৰ্গত সুৰাপান, সম্ভোগ সকলো বিধেয়। ভাস নামে এজন কবিৰ এটা শ্লোক বামমাৰ্গৰ পোষক স্বৰূপে সোমদেৱে তুলি দিছে, অৱশ্যে এই ভাস নাট্যকাৰ ভাস নহবও পাৰে। এই বামমাৰ্গৰ লগত বৌদ্ধধৰ্ম্মৰ সংযোগ স্থাপিত হোৱাৰ বাবে বৌদ্ধমতক পৰবৰ্ত্তী যুগত অনেকে আক্ৰমণ কৰিছে। কিন্তু এনেয়ো হিন্দু লেখকসকলে বহুত দিনৰ পৰা বৌদ্ধ-ধৰ্ম্ম আৰু বৌদ্ধদৰ্শন আক্ৰমণ কৰি আহিছে। ন্যায়, মীমাংসা আৰু বেদান্তৰ কিতাপবিলাকত বৌদ্ধ দাৰ্শনিক মত নিৰাশ কৰিবৰ কাৰণে প্ৰভূত চেষ্টা কৰা হৈছে। "শ্লোক বাৰ্ত্তিকত" কুমাৰিলে প্ৰমাণ কৰিব খুজিছে যে কোনো মানুহ সৰ্ব্বজ্ঞ হব নোৱাৰে, কাজেই বৌদ্ধবিলাকে বুদ্ধক সৰ্ব্বজ্ঞ বুলি ভবাটো ভুল। সপ্তম শতিকাত মহেন্দ্ৰবিক্ৰমে মত্তবিলাস নাটকত বৌদ্ধসন্ন্যাসীক উপলুঙা কৰিছে। বৌদ্ধসকলো কিন্তু বহি থকা নাই। খৃষ্টীয় দ্বিতীয় তৃতীয় শতিকাত লিখা আৰ্য্যদেৱৰ "চতুঃশতিকাৰ" দিনৰে পৰা তেওঁবিলাকে, আৰু লগতে জৈনবিলাকেও, হিন্দুৰ আচাৰ ব্যৱহাৰ, বৰ্ণাশ্ৰম আৰু ধৰ্ম্মমত অবাধে আক্ৰমণ কৰিছে। জৈন আৰু বৌদ্ধসকলে হিন্দুধৰ্ম্মক কেনেকৈ ক'ত আক্ৰমণ কৰিছে তাৰ বিবৰণ আমাৰ পূৰ্ব্বোক্ত গ্ৰন্থত নৈষধচৰিতৰ সপ্তদশ সৰ্গৰ ঐতিহাসিক আলোচনা কৰোতে দিয়া হৈছে। ইয়াত তাৰ বিবৰণ দিয়াৰ আৱশ্যক নাই।

পৃথিবীৰ জন্ম

—শ্ৰীযুত সুশীলকুমাৰ বৰুৱা

পৃথিবী কেতিয়া আৰু কেনেকৈ জন্মিল আমি সঠিককৈ কব নোৱাৰোঁ। মানুহ পৃথিবীৰ জীৱ। পৃথিৱীৰ জন্মৰ কোটী কোটী বছৰৰ পিছত হে, নহয় পৃথিবীত জীৱৰ আবিৰ্ভাৱৰ কোটী কোটী বছৰৰ পিছত হে মানুহৰ জন্ম। ভূতাত্ত্বিক হিচাবে কবলৈ গলে মানুহ কালিৰ জীৱ। মানুহ জাতিৰ বয়স পৃথিবীত পাঁচ লাখ বছৰ মানহে হৈছে।

এতেকে পৃথিবীৰ জন্মৰ বিষয় আমি কেৱল অনুমানহে কৰিব পাৰোঁ। অনুমান সকলো বিধৰে হব পাৰে। আমি কৰা অনুমান যুক্তিসঙ্গত হব লাগিব অৰ্থাৎ পৃথিবীত প্ৰমাণ কৰিব পৰা প্ৰাকৃতিক নিয়মবোৰৰ আৰু দূৰবীক্ষণ যন্ত্ৰৰ সহায়ৰে নিৰ্ণয় কৰিব পৰা গ্ৰহ নক্ষত্ৰৰ গতিবিধিৰ আৰু পৃথিবীৰ আপোন গতিৰ নিয়মৰ সাপেক্ষ হব লাগিব এই অনুমান। অকল এয়েই নহয়, মানুহৰ কল্পনা শক্তিকো দীঘলাব পৰা হব লাগিব।

এনে অনুমান হৃদয়ঙ্গম কৰিবলৈ মানুহক সময় লাগে। আনপোনে আকৌ বিজ্ঞানৰ পোহৰত মানুহৰ ভাবৰ সদায় লৰ হব লাগিছে। সেইহে কোৱা হৈছে এনে অনুমান কৰিলে মানুহৰ কাল্পনিক শক্তিকো ভবিষ্যতলৈ মেলি দিব পৰা হব লাগিব।

পোনে পোনেই পৃথিবীৰ আঁতিগুৰি বিচাৰি আমি পৃথিবীৰ ওচৰ চুবুৰীয়া গ্ৰহ-নক্ষত্ৰ আদিৰ হিচাব লব লাগিব। লাহে লাহে তেওঁলোকৰ আচাৰ ব্যৱহাৰ আৰু পৃথিবীৰ লগত তেওঁলোকৰ সম্বন্ধও বিচাৰ কৰিব লাগিব।

আজিকালি বিশেষ বিজ্ঞানৰ দিনত আমি যি কওঁ তাক থিৰাংকৈ বোধগম্য কৰিবলৈ আমাৰ ব্যৱহৃত শব্দবোৰৰ পাৰ্থক্য জনাটো নিতান্ত আৱশ্যকীয়।

এদিন মুকলি নিজোনাক ৰাতি কোনোৱে যদি আকাশলৈ চায় তেন্তে তেওঁ গোটেই আকাশমণ্ডল অলক্ষ্য দীপ্তিমান বিন্দুৰে উপচি থকা দেখিব। অলপ সূক্ষ্মভাৱে চালেই তেওঁ দেখিব যে এই দীপ্তিমান বিন্দুবোৰৰ সকলোৰে পোহৰ অনৰ্গল আমি পোৱা নাই—কাৰো মাথোন তিৰবিৰণি, কাৰোবা আকৌ পোহৰ অখণ্ডিতভাৱে পাইছোঁহঁক। এই তিৰবিৰোৱা অলক্ষ্যই তৰা বা নক্ষত্ৰ আৰু অলপীয়াই গ্ৰহ।

গ্ৰহনক্ষত্ৰবোৰক একেৰাহে কেসপ্তাহমান নিৰীক্ষণ কৰিলে আৰু এটা পাৰ্থক্য দেখিবলৈ পাওঁহঁক। সকলোৱেই অৱশ্যে পৃথিবীৰ আহ্নিক গতিৰ ফলত উদয় হয় আৰু অস্ত যায়। কিন্তু তৰাবোৰে পৰস্পৰৰ স্থান নলৰায় অৰ্থাৎ ইহঁত সদায় একেঠাইতে স্থিৰ হৈ থাকে। গ্ৰহ-বিলাকৰ নিজৰ গতি আছে আৰু এক নক্ষত্ৰমণ্ডলীৰ পৰা আন নক্ষত্ৰমণ্ডলীলৈ গতি কৰে। শূন্যত এই স্থিৰ নক্ষত্ৰমণ্ডলী লৈয়ে গতিমানৰ গতি নিৰ্ণয় কৰিবলৈ সুবিধা ঘটে।

পুৰণি কালত পণ্ডিতসকলে পাঁচোটি মাথোন গ্ৰহ জানিছিল—শুক্ৰ, মঙ্গল, বুধ, বৃহস্পতি আৰু শনি। গতিমান কাৰণে সূৰ্য্য আৰু চন্দ্ৰকো গ্ৰহৰ শাৰীত পেলাইছিল। এই সাতোটি গ্ৰহৰ নাম অনুসৰি সপ্তাহৰ দিনৰ নামকৰণ হয়।

আজিকালি নক্ষত্ৰবিদ্‌সকলে সূৰ্য্য আৰু চন্দ্ৰক গ্ৰহ নোবোলে। সূৰ্য্য তৰাহে আৰু নিশা মুকলি আকাশত দেখা অগণন তৰাৰ মাজৰ ইও এটা। চন্দ্ৰ পৃথিবীৰ সহচৰ আৰু ই উপগ্ৰহ শ্ৰেণীয়। সূৰ্য্য আৰু চন্দ্ৰৰ ঠাই অধিকাৰ কৰিবলৈ যোৱা দেৰশতাব্দিত আৰু দুটা গ্ৰহ আবিষ্কৃত হৈছে—ইউৰেনাচ আৰু নেপচুন। উইৰেনাচক

যতনহীন চকুৰে ৰিণিকি ৰিণিকি মনিব পাৰি কিন্তু নেপচুন যতনহীন চকুৰ তেনেই অগোচৰ। প্লুট' বুলি আৰু এটি গ্ৰহ আবিষ্কৃত হৈছে। মুঠতে যতনহীন চকুৰে চাই জনাৰ ভিতৰত গ্ৰহ আঠোটাই বল।

দৰাচলতে গ্ৰহ আঠোটা নহয়, নটা। আমি বাস কৰা পৃথিবীখনো এটা গ্ৰহ। আধুনিক নক্ষত্ৰ-বিজ্ঞানৰ এইটোৱেই ঘূৰঘূৰি বুলিব লাগে। আন গ্ৰহৰ দৰে ইও নিজৰ কক্ষৰ ওপৰত ঘূৰি দিন-ৰাতি জন্মায়।

এই ৯টা গ্ৰহক সুকীয়াকৈ দুভাগ কৰিব পাৰি। চাৰিটা ভিতৰুৱা গ্ৰহ আৰু সূৰ্য্যৰ নিচেই কাষতে। ইহঁত ৩ কোটী ৬০ লক্ষৰ পৰা ১৪ কোটি ১০ লক্ষ মাইলৰ ভিতৰতে ঘূৰে। আনভাগৰ গ্ৰহবোৰে আকৌ সূৰ্য্যৰ পৰা ৪৮ কোটি ৪০ লক্ষৰ পৰা ২৭০ কোটী মাইল দূৰত্বৰ ভিতৰতে ঘূৰে। ইহঁতৰ পাৰ্থক্য কেৱল দূৰত্বতে নহয়, আয়তনতো আৰু এভাগক দৈত্য আৰু আন ভাগক বামন বুলিব পাৰি। বামন চাৰিটা,—আয়তন অনুসাৰে সিহঁত, পৃথিবী, শুক্ৰ, মঙ্গল, বুধ। দৈত্য পাচোটা—বৃহস্পতি, শনি, নেপচুন, ইউৰেনাচ আৰ প্লুট'।

"বুধেই সকলোতকৈ সূৰ্য্যৰ ওচৰ চুবুৰীয়া। ই সূৰ্য্যৰ পৰা প্ৰায় ৪ কোটী মাইল দূৰত। বুধৰ পিছত শুক্ৰ। ই সূৰ্য্যৰ পৰা ৭ কোটী মাইল দূৰত। পৃথিবী সূৰ্য্যৰ পৰা ৯ কোটি মাইল দূৰত ঘূৰে। ইয়াৰ পিছত মঙ্গলগ্ৰহ। ই সূৰ্য্যৰ পৰা ১৪ কোটী মাইল দূৰত। এই কেইটা পাৰ হৈ বৃহস্পতি। ই সূৰ্য্যৰ পৰা ৪৮ কোটী মাইল দূৰত ঘূৰে। বৃহস্পতিৰ পিছত শনি। ইউৰেনাচ ১৭৮ কোটী মাইল দূৰত। নেপচুন ৩০০ কোটী মাইল আৰু শেষত প্লুট'। তেনেহলে গ্ৰহবিলাক যি শৃঙ্খলাত স্থাপিত হৈছে সেই শৃঙ্খলা অনুসাৰে সিহঁতক এগছি জৰীত মণি গঁথা দি গাঁথিব পাৰি। বৃহস্পতি মণিধাৰৰ মাজত জোনবিৰি যেন হব, আৰু দুয়ো ফালৰ গ্ৰহবিলাক পোৱালমণি যেন হব।"—আকাশ ৰহস্য।

সূৰ্য্য, গ্ৰহ আৰু উপগ্ৰহৰ এই সমষ্টিটোকে আমি সৌৰজগত বুলিছো। সৌৰ বুলিছো এই কাৰণে যে সূৰ্য্যক কেন্দ্ৰত লৈ গ্ৰহ আৰু উপগ্ৰহবোৰে মৰণাত ঘূৰাদি ঘূৰিব লাগিছে। সূৰ্য্য ইহতৰ কৰ্ত্তা বা নিয়ন্তা। আকৌ এই সমষ্টিটোৱেই শূন্যত কোনো অজান অভীষ্টৰ দিকে দিনে ৮০০,০০০ মাইল বেগে গতি কৰিছে।

সমন্ধত ইমান ওচৰ, ব্যৱহাৰত ইমান সামঞ্জস্য থকা আৰু একে পদাৰ্থৰে নিৰ্ম্মিত এই গ্ৰহ-নক্ষত্ৰবোৰৰ উৎপত্তি একে বা একেদৰৰ হোৱা সম্ভৱপৰ, ইয়াকে থিৰাং কৰি উৎপত্তিৰ আভাস পাবলৈ শূন্যত আশে-পাশে চাই দেখিছোহক—

দূৰবীক্ষণ যন্ত্ৰৰ সহায়ত আকাশত 'নেবুলি' বোলা এবিধ বস্তু দেখোহক। 'নেবুলি' বোলা এই লেটিন শব্দটোৰ অৰ্থ মেঘ। ইহত আকাশৰ উজ্জ্বল, শুকুলা, তুলাতুল মেঘ। উলঙট চকুৰে চালে ইয়াক তৰা যেন দেখি কিন্তু ইহত তৰাৰ পৰা তেনেই পৃথক।

সিহতৰ ৰশ্মি পৰীক্ষা কৰি আমি জানিব পাৰিছো, আকাশত অতিকমেও ১২,০০০ নেবুলি আছে। ইহঁত তৰাৰ থোপ নহয়, জলন্ত মেঘ পদাৰ্থ। ইহঁতৰ গঢ় আৰু আকৃতিৰ লৰ আছে। কোনো কোনোটো গোটেই সৌৰ জগততকৈও ডাঙৰ।

'স্পাইৰেল নেবুলি' বুলি এবিধ নেবুলি বা মেঘ আছে। এইবিধ মেঘ আমাৰ এধাৰিৰ দৰে মেৰ খোৱা। চালে ইহতৰ মাজত ঠায়ে ঠায়ে উজ্জ্বল কণা দেখিবলৈ পোৱা যায়। অনেক সময়ত এই কণাবোৰ ইমান ডাঙৰ আৰু উজ্জ্বল যে সিহতক তৰাৰ দৰে দেখি আৰু সিহত কিজানি বাস্তৱতে তৰাই। ইয়াতে যেন আমি পৃথিবীৰ কিয় গোটেই সৌৰজগতৰে উৎপত্তিৰ আঁত বিচাৰি পাইছো।

আজিকালি জনাজনি 'নেবুলাৰ হাইপথেচিচ'টো বা ঘৰুৱা কথাত কবলৈ গলে এই মেঘীয়া অনুমানটো কাণ্টে ১৭৫৫ আৰু লাপলাচে ১৭৯৬ খৃষ্টাব্দত সৌৰজগতৰ উৎপত্তি বুজাবলৈ ডাঙ্গি ধৰে।

এইমতে এটা জলন্ত বৃহৎ মেঘমণ্ডল আছিল। ই গ্ৰহবিলাকৰ দাঁতৰীয়া নেপচুনৰ আধুনিক কক্ষকো আগুৰি আছিল। এই বৃহৎ মেঘমণ্ডলটোৱে এটা ঘনীভূত ঘাগী বা কোনো সূৰ্য্যৰ চাৰিওফালে ঘূৰিছিল। ঘূৰোতে ঘূৰোতে ই লাহে লাহে ডলাকৃতি ললে। কালৰ গতিত এই ঘূৰ্ণীয়-

মান বস্তুটোৰ মাজভাগৰ দাঁতিৰ পৰা আঙঠি বা বেৰা সুলকিল।

এই আঙঠিবোৰেই শেহত গোট মাৰি গ্ৰহ হল গোট মৰা মধ্যস্থ ঘাগীটোৱেই সূৰ্য্য কিন্তু ইয়াৰ আদি তাপ এতিয়াও আছে যদিও গ্ৰহবোৰে সিহতৰ তাপ হেৰুৱাইছে। এই অনুমান অনুসৰি আমাৰ পৃথিবীয়ে ভিন-ভিনকৈ বাষ্পীয় আৰু তৰল অৱস্থা পাৰ হৈ আহি শেহত এই গোটা অৱস্থা পাইছে।

বৈজ্ঞানিকসকল সহজে কতো পতিয়ন নাযায়। মনত খুকুৰি তুলি যুক্তিৰে অঁতাই আসোঁৱাহ গুচুৱাই তেওঁলোকৰ প্ৰকৃতি। বিজ্ঞানৰ দৈনন্দিন উন্নতিৰ লগে লগে তেওঁলোকৰো খুকুৰি বাঢ়ি যায়।

সময়ে সময়ে গুৰিত কেৰোণ উলিয়াই এই অনুমানটো বৈজ্ঞানিক চৰ্চ্চাৰ পৰা উভালি পেলালে।

আজি ৪০ বছৰমান হৈছে 'প্লেনেটেচিমেল হাইপথেচিচ' বুলি আৰু এটা অনুমানে বৈজ্ঞানিকৰ মনোযোগ আকৰ্ষণ কৰিছিল। আনটোৰ লগত ইয়াৰ মূলতে প্ৰভেদ। আৰম্ভণতে পদাৰ্থৰ এটা সন্ধিত মাউথ ধৰি লোৱা হৈছে। আৰু এই সন্ধিত মাউথৰ ছিন্নীভূত বিস্তাৰণতে গ্ৰহ, উপগ্ৰহ আদিৰ উৎপত্তি। এই অনুমানটো বেছিদিন নিটিকিল।

আজি প্ৰায় ২০০,০০,০০,০০০ কোটী বছৰৰ আগেয়ে পৃথিবীৰ জন্ম বুলি সম্প্ৰতি স্থিৰ কৰিছে। সৌৰজগতৰ আন আন গ্ৰহবিলাকৰ পৃথিবী ওচৰ সম্বন্ধী, কিয়নো সকলোৰে জন্ম সূৰ্য্যৰ পৰা।

পৃথিবীৰ জন্ম এক অনুপম অপৰূপ ঘটনা—দুটা তৰাৰ সন্নিকট টনাটনিত। ইয়াৰ এটা পুৰাকলীয়া সূৰ্য্য, আনটো কোনো পৰিমিত সংখ্যক কোটী কোটী মাইল দূৰেদি এই বাটেদিয়েই যাব লগা হোৱা সূৰ্য্যৰ সমকক্ষ কোনো এক অচিন তৰা। ইহতৰ ওপৰ-চাপনিত ওপজা জোৱাৰৰ প্ৰভাৱত চাৰ জেইমচ জীনৰ গণিত শাস্ত্ৰীয় থিঅ'ৰি মতে সূৰ্য্যৰ গাত এক অজোখ টেমুনা উঠিল। ই এই অচিন তৰাটোৰ দিশে উফৰি মাজত লোধোমা মূৰত সৰু এক ভয়ঙ্কৰ জোনবিৰিৰ দৰে শূন্যত থাকি আদি পুৰুষক প্ৰদক্ষিণ কৰি ঘূৰিবলৈ লাগিল।

কিন্তু এনে এটা দীঘলীয়া সমষ্টি অস্থিৰ—ঠিক পানীৰ দীঘল ধাৰৰ দৰে। পানীৰ ধাৰ ছিগি টোপাল পৰা সকলোৱে দেখিছে। ঠিক এনেদৰেই বিৰিসদৃশ সমষ্টিটোৱেও ছিগি ছিগি গোলাকৃতি ললে, মাজত ডাঙৰবোৰ আৰু দাতিত সৰুবোৰ হল। ডাঙৰ কেটাক এতিয়া বৃহস্পতি আৰু শনি বুলিছোঁ। আমাৰ মূৰে সৰুকেটা হৈছে—বুধ, শুক্ৰ (পৃথিবী) আৰু মঙ্গল।

ঘটনা প্ৰাণালীটো যে ঠিক এনে দৰৰ তাক ডাঠি কব নোৱাৰি। সকলো গ্ৰহেই একে পোনেই মুৰলি-পাক দিয়া দেখি আৰু টাকুৰী ঘূৰণতো আদি পাকৰ চিন ৰাখি আকৌ একেদিকেই ঘূৰা দেখি ধাৰণা হয় ইহতৰ ভিতৰত জন্মগত সম্বন্ধ আছে।

তদুপৰি সিহত সকলো একে পদাৰ্থৰে নিৰ্ম্মিত। বাস্তৱতে দিনে দিনে এইটোহে প্ৰত্যক্ষ হৈ আহিছে যে আমি পৃথিবীত পোৱা 'এটম' গোটেই বিশ্বব্ৰহ্মাণ্ড জুৰি আছে। সুদূৰৰো সুদূৰ নক্ষত্ৰটো একে বস্তুৰে স্থিতি। সৰ্ব্বত্ৰতে পদাৰ্থ বিজ্ঞানৰ নিয়মবোৰ খাটে যদিও তাপ আৰু চাপৰ অৱস্থা ভেদে ফলৰ লৰচৰ ঘটে। বস্তুৰ আচল প্ৰকৃতি একে। পৃথিবীৰ ৰাসায়নিক প্ৰাথমিক পদাৰ্থবোৰ বিশ্বব্ৰহ্মাণ্ডত কেৱল পুনৰুত্থান মাথোন।

———

বাটকৰা

গল্পকবিতা—

—শ্রীযুত যতীন্দ্র নাথ দুৱৰা, বি-এ

নিচেই পুৱাতে বাটকৰা বাটেদি যাবলৈ ওলাল। কত সুখদুখৰ স্মৃতি বুকুত লৈ সমুখত দীঘল বাটটো পৰি আছে। দ'লটোক বাওঁহাতেদি এবি থৈ গাৰ্ডৰ ভিতৰেদি গৈ, নামঘৰৰ দাঁতিয়েদি ওলাই, আকৌ পথাৰৰ মাজেদি গৈ এই বাট যে ক'ত দুবত শেষ হৈছে গৈ কোনে জানে! বাটকৰাই এই বাটেদিয়েই বাট ল'লে।... তেতিয়াও ভালকৈ পোহৰ ওলোৱা নাই। এখুজি দুখুজিকৈ বাটকৰাই আপোনমনে বাটেদি আগবাঢ়িবলৈ ধৰিলে। লাহে লাহে সম্পূর্ণ পোহৰ হল। গছৰ পাতৰ আগত পুৱাৰ বেলিৰ পোহৰ জিকমিকাৰ লাগিছে। ধীৰে ধীৰে পুৱাৰ বতাহ ববলৈ ধৰিছে। গোটেই ৰাতিৰ ক্লান্তি অৱসাদ দূৰ কৰি জগত নতুন পুৱাত সজীৱ হৈ উঠিছে। বাটকৰাই গৈ গৈ এখনি জুৰিৰ পাৰ পালেগৈ। জুৰিৰ পাৰতে এটি অকণমান ধুনীয়া লবাই কিছুমান ফুলপাত লৈ ধেমালি কৰি থকা দেখা পালে। তাৰ থুহুৰ-থাৰাক মাতেৰে বাটকৰাক তাৰ ধেমালিত যোগ দিবলৈ মাতিলে। বাটকৰাৱো থন্তেকলৈ নিজক পাহৰি মন প্ৰাণ ঢালি দি তাৰ লগত উমলিবলৈ ধৰিলে। লাহে লাহে বেলিৰ পোহৰ অলপ চৰা হ'ল। ধেমালি কৰি থাকোতে বাটকৰাই হঠাৎ দেখিলে যে কাষত সেই সৰু লৰাটি নাই। তেওঁ তাক চাৰিওফালে বিচাৰিবলৈ ধৰিলে কিন্তু ক'তো তাৰ চিনচাৰ অকণেই নাপালে। তেওঁৰ ৰব বেজাৰ লাগিল আৰু বেজাৰ মনেৰে বাটেদি আগবাঢ়িবলৈ ধৰিলে।

বেলিৰ তেজ লাহে লাহে চৰি আহিছে। অলপ পৰ গৈয়েই বাটকৰাই চটামান গৰখীয়া লৰাক দেখা পালে। সিহঁতে গৰু পথাৰত মেলি দি বিলৰ পৰা ভেঁটফুল তুলি মালা গাঁথি ভিত্তিত পিকি লৈ, গছৰ তলত দাননৰ নৰাৰ পেঁপা বজাই ধেমালি কৰি আছে। সিহঁতে বাটকৰাক দেখি হাত-চাপৰি মাৰি তেওঁক সিহঁতৰ লগলৈ মাতিলে। আপোনাপাহৰা বাটকৰাই ততালিকে সিহঁতৰ লগত বহি সিহঁতৰে এজন হৈ পৰিল।—এনেদৰে বং-ধেমালি কৰি থাকোতেই দুপৰ হ'ল। এনেতে বাটকৰাই দেখিলে যে তেওঁৰ লগৰ সেই লৰাবোৰ কলৈ গল তাৰ একো চিন চাৰ নাই। তেওঁ মাথোন অকলে গছৰ তলত বহি আছে।...

তেওঁ লাহে লাহে তাৰ পৰা উঠি দুনাই আগ বাঢ়িবলৈ ধৰিলে। অলপ দূৰ গৈয়ে বাটত এজন বেছ সুন্দৰ সুহু, সবল ডেকা হালোৱাৰ লগত দেখা হ'ল। তেওঁ পথাৰৰ পৰা কাম কৰি ঘৰলৈ উভতিছে। তেওঁৰ লগত কথা পাতি পাতি আহি থাকোতে হঠাৎ তেৱোঁ চকুৰ আগৰ পৰা কেনিবা আঁতৰি গ'ল।...বাটকৰাই আকৌ বেজাৰ মনেৰে বাট বুলিবলৈ ধৰিলে। অলপ দূৰ গৈয়ে কেনিবাদি বং-ধেমালি আৰু হাঁহিৰ খিলখিলনি শুনিবলৈ পালে। তেওঁ দেখিলে যে সেইবাটেদি এটি তৰুণ আৰু এগৰাকী তৰুণী বং মনেৰে বাট বুলিব লাগিছে। বাটকৰায়ো তেওঁ-লোকৰ লগতে বং-ধেমালি কৰি আগবাঢ়িবলৈ ধৰিলে। লাহে লাহে দুপৰ পাৰ হৈ গ'ল। আবেলিৰ কাষ চাপো চাপো হ'লহি। তেওঁৰ সমুখত আৰু সেই তৰুণ-তৰুণী নাই।...তাৰ ঠাইত অলপ পৰ গৈয়ে দেখিলে যে এটি পৰিয়াল সেই বাটেদি আগবাঢ়িবলৈ ধৰিছে। গিৰিহঁতজন আদহীয়া—লগত তেওঁৰ পৰিয়াল আৰু লৰা-ছোৱালী তিনটি। তেওঁবিলাকে বেছ গহীনভাৱে লাহে লাহে বাটেদি খোজ কাঢ়ি গৈছে। বাটকৰাই তেওঁলোকৰ লগতে খোজ ললে। যাওঁতে যাওঁতে হঠাতে সেই পৰিয়ালৰ সৰু লৰাটি বাটৰ দাঁতিত পৰিল আৰু অলপ পৰ চটফটায়ে মুখৰ মাত নাইকিয়া হ'ল। তেওঁবিলাকে

অলপ পৰ তাকে বৈ লৰাটিৰ ফালে চাবলৈ ধৰিলে। কিন্তু বেছি সময় তাত বৰ নোয়াবিলে।...বাটকৰাৰ লগত দুনাই খোজ ল'লে।..

লাহে লাহে আবেলি হ'ল। বেলিৰ তেজ কমি আহিল. এনেতে লৰাছোৱালী দুটিৰ মাকো হঠাৎ অচেতন হ'ল। গিৰিহঁত আৰু লৰাছোৱালী দুটিয়ে অলপ পৰ বৈ বৰ বেছিকৈ বেজাৰ কৰিবলৈ ধৰিলে। কিন্তু সবহ পৰ ৰব নোৱাবিলে।...আকৌ বাটেদি আগুৱাবলৈ ধৰিলে। আবেলি পাৰ হৈ গ'ল, এনেতে তেওঁলোকো বাটকৰাৰ চকুৰ পৰা আঁতৰ হৈ গ'ল।... বেজাৰ মনেৰে বাটকৰাই অকলে এই দীঘল নিজান বাটেদি আগবাঢ়িবলৈ ধৰিলে।

বেলি মাৰ গল। সন্ধিয়া লাগো লাগো হৈছে। বাটকৰাই উভতি চাই দেখে যে তেওঁৰ পাছফালে তেওঁ অহা বাটটো লাহে লাহে আন্ধাৰে ঢাকি আনিলে।...সমুখত এতিয়াও পোহৰৰ ঝিলিঙনি আছে।..বাটকৰাই গৈ গৈ শেহত এখন নৈৰ পাৰ পালেগৈ। সন্ধিয়া লাগি পাৰ হ'ল। নৈৰ পাৰত কেইবা জোপাও ডাঙৰ আঁহত গছ আছে। তাৰে এজোপাৰ ওচৰত বহি এটা বুঢ়াগছৰে নৈ সিপাৰলৈ একেথিৰে চাই থকা বাটকৰাই দেখা পালে। তেওঁ যে কি ভাবিছে বাটকৰাই বুজিব নোৱাবিলে। বাটকৰায়ো ওৰে দিনটো বাটচুৰি বাই ভাগৰ লগাত আন এজোপা আঁহত গছৰ তলত বহিলেহি। তেওঁ ইমান ক্লান্ত হৈ পৰিছিল যে তেওঁ মনে মনে ভাবিলে যে তেওঁৰ আৰু উঠিবলৈ শকতি নাই।...আন্ধাৰ নামি আহিল। অহা বাটতো আৰু চকুৰে নমনা হলহি। তেওঁ নৈৰ ফালে একেথিৰে চাই আপোন মনেৰে কিবাকিবি ভাবিবলৈ ধৰিলে।

ৰাতি হোৱা দেখি নাওবোৱ কাষলৈ চপাই বান্ধি থৈ নাৱৰীয়াবিলাকে খোৱা-লোৱাৰ দিহা-পোহা কৰিছে। দুৰৰ নাওবোৰো লাহে লাহে আহি নৈৰ পাৰত চাপিল। বাটকৰাই দেখিলে এখন নতুন নাৱে এখন পুৰণা ভগা নাৱক লগতে টানি আনি নৈৰ পাৰত তুলি থৈ গ'ল।... সেই নাওখনিৰ বোধকৰো কাম শেষ হৈ গ'ল। নতুন নাওখনিয়ে তাক তাতে এবি অলপ দূৰ গৈ, কাষত লাগিল। পুৱা হ'লেই এই নাওবোৱে দুনাই নিজৰ কামত লাগি যাব। কিন্তু সেই ভগানাওখনি হয় তো তাতেই পৰি থাকিব। বোধকৰো জগতৰ কোনো কামতেই ই নালাগিব। বাটকৰাই বহি বহি ভাবিবলৈ ধৰিলে। দিন গল; ৰাতি আহিল। আকৌ ৰাতি পুৱাব—নতুন দিন আহিব। নতুন উছাহেৰে নতুন পুৱাত সকলোৱে আকৌ জগতৰ কামত লাগি যাব। এইদৰে দিনৰ পিছত দিন আৰু ৰাতিৰ পিছত ৰাতি আহি জগত চলি থাকিব। একে সন্ধ্যাতেই বা একে পুৱাতেই জগত শেষ হৈ নাযায়—অকণোদয় জীৱনৰ এটি শুকতহা মাথোন। *

* শ্রীযুত যতীন্দ্রনাথ দুৱৰা, বি-এ দেৱৰ এই গল্পকবিতাটি তেখেতৰ অলপতে হৈ গোৱা দুখদিনাৰ বাবে কলিকতা মেডিকেল কলেজ হস্পিটেলত শয্যাগত অৱস্থাত থাকোতে কোৱা আৰু শ্রীযুত অবশেষচন্দ্র বৰুৱা, এম-এচ.চি ডাক্তৰীয়াই লিখা।

স্বাস্থ্য-সম্বন্ধে দু-আষাৰমান কথা

স্বাস্থ্যতত্ত্ব— —ডাঃ শ্রীযুত মহানন্দ বকৰা সাহিত্যভূষণ

সংসাৰত জীয়াই থাকিবলৈ হলে যে স্বাস্থ্যৰক্ষাৰ নিতান্ত আৱশ্যক তাক দুনাই কবৰ সকাম নাই। স্বাস্থ্য-সম্বন্ধে মংকিঞ্চিৎ আলোচনা কৰাটোৱেই বৰ্ত্তমান প্ৰৱন্ধৰ ঘাই উদ্দেশ্য।

ইংৰাজীত কয়—"Health is wealth" অৰ্থাৎ স্বাস্থ্যই সম্পত্তি।

আমাৰ চহা কথাত কয়—(১) "দেহেই শালিধান ভাত" (২) "দেহাই বেহা।"

আয়ুৰ্ব্বেদে কয়—(১) "শৰীৰমাদ্য খলু ধৰ্ম্মসাধনম্।" (২) "ধৰ্ম্মাৰ্থ কাম মোক্ষাণামাৰোগ্য মূল মুত্তমম্।"

গতিকে দেখা গল স্বাস্থ্য আমাৰ পক্ষে কেনে লাগতিয়াল আৰু অপৰিহাৰ্য্য। দুখৰ বিষয়, এনে বহুমূলীয়া স্বাস্থ্য মানুহে নিজৰ দোষত হেকৰাই সুখেৰে কাল কটাবলৈ অসমৰ্থ হয়। এলাহ, কুসংস্কাৰ, অজ্ঞতা আৰু দৰিদ্ৰতা, এই চাৰিটা স্বাস্থ্যৰ ঘোৰ শত্ৰু।

স্বাস্থ্যৰক্ষা কৰিবলৈ কিছুমান আহিলাপাতিৰ দৰকাৰ। সেইবোৰৰ ভিতৰত বায়ু, আহাৰ আৰু পানীয়েই ঘাই।

বিশুদ্ধ বায়ু জীৱন ধাৰণৰ পক্ষে আটাইতকৈ লাগতিয়াল। কাৰণ আহাৰ আৰু পানী নহলে মানুহ আৰু পশু-পক্ষী আদি প্ৰাণী কিছুদিন জীয়াই থাকিব পাৰে, কিন্তু বায়ু নহলে খিতাতে মৰণ। থকা ঘৰ এনেভাৱে সাজিব লাগে যাতে তাৰ ভিতৰলৈ অবাধে বায়ু সোমাব আৰু ওলাব পাৰে। সেই উদ্দেশ্যেৰে ঘৰবোৰৰ আহল-বহলকৈ আৰু দুৱাৰ-খিৰিকী বাখি সাজিব লাগে। ঘৰৰ ভিতৰখন পোহৰ হব লাগে। দুখৰ বিষয়, আমাৰ মানুহৰ অজ্ঞতাৰ দোষত ভালেমান ঘৰ দিনতে ঘোপ মৰা আন্ধাৰ। ঘৰৰ টোলত সৰহ গছ-গছনি থাকিলে বেৰা, কাৰণ তাৰ দ্বাৰা ঠাইখন চেঁচুকীয়া হয় আৰু বিশুদ্ধ বায়ু মাত্ৰাঘাত কৰাত বাধা জন্মে। লাগতিয়াল গছ-গছনি কিছু অন্তৰে অন্তৰে কলে বিশেষ অপকাৰ নহয়; অৱশ্যে ব'দ পৰিবলৈ সুবিধা থাকিব লাগে।

মুকলি ঠাইত ফুৰিলে শৰীৰৰ বৰ উপকাৰ হয়। কণীয়া মানুহে মুক্তভাৱে 'হাৱা' খালে বেমাৰেও শাম কাটে আৰু মনতো স্ফূৰ্ত্তি লাগে। ঘৰৰ ভিতৰত ওৰে দিনটো সোমাই নাথাকি পুৱা-গধূলি, অলপ পৰ হলেও, ফুৰা যুগুত।

আহাৰ আৰু পানী নহলে আমাৰ কাম নচলে। ইংৰাজীত কয় "Eat to live not live to eat." অৰ্থাৎ জীয়াই থাকিবলৈ খাবা, খাবলৈ জীয়াই নাথাকিবা। কাৰণ খোৱাৰ উদ্দেশ্যই হৈছে জীৱন ধাৰণ কৰা। "ভোকত ভাত, পিয়াহত পানী, তাক নাথালে গাৱ বল হয় হানি।" ভোকত খাব লাগে, খঁকত নহয়। ভালেমান মানুহে আভোকত লোভ সামবিব নোৱাৰি সৰহকৈ খাই বেমাবত ভোগে। কিন্তু তেনে কৰা বৰ অযুগুত।

খোৱা বস্তু সাধাৰণ হ'ক তাত একো কথা নাই; মাথোন সেয়ে শৰীৰ বক্ষাৰ উপযোগী আৰু পুষ্টিকৰ হব লাগে। খোৱা বস্তুত মাংস-সাৰ, চেনিজাতীয় পদাৰ্থ, তেল আৰু লোণজাতীয় পদাৰ্থ যথেষ্ট পৰিমাণে থাকিলেহে শৰীৰৰ উপকাৰ হয়। এই উপাদানবোৰৰ হীন-ডেচি হলে বিশেষ একো লাভ নহয়। খোৱা-বস্তুত সকলো জাতীয় 'ভিটামিন' অৰ্থাৎ 'খাদ্যপ্ৰাণ' বোলা বস্তুটিৰ বৰ দৰকাৰ। বজাৰৰ বাবে-ভুৰুকা বস্তুতকৈ ঘৰত তৈয়াৰী নিভাঁজ বস্তু এশগুণে ভাল। অলপ পৰিশ্ৰম কৰিলেই এই বস্তুবোৰৰ ভালেমান অনায়াসে নিজেই কৰি খাব পাৰি, বাবে-ভুৰুকা আটা, মহনা, ঘিউ, তেল আদি খালে উপকাৰ হওক ছাৰি অপকাৰ হে হয়। স্বাস্থ্যৰক্ষাৰ পক্ষে গাখীৰ এটি লাগতিয়াল উপাদান। বিশেষকৈ গাখীৰ চেঁচুৰা নহা

ছোৱালীৰ আহাৰ। কিন্তু বৰ পবিত্ৰাপৰ কথা নগৰত বিশুদ্ধ গাখীৰৰ আৰু গাৱঁতো ভাল-বেয়া গাখীৰৰ বৰ নাটনি। বিলাতী গাখীৰ গৈ গাৱঁতো সোমাইছে আৰু তাৰ সৰহভাগেই সস্তা দামৰ অকামিলা গাখীৰ—তাত আছে মাথোন 'গাখীৰ'ৰ বদনামটোহে। এনে সস্তা দামৰ সাৰ-হীন গাখীৰ খোৱাতকৈ নোখোৱাই ভাল। গাখীৰৰ পবা তৈয়াৰী মাখন, ঘিউ পুষ্টিকৰ খাদ্য।

আহাৰৰ বিষয়ত কিছুমান নীতি-নিয়ম পালি চলিব লাগে। আমাৰ মানুহৰ এনে এটা বিশ্বাস আছে যে কোনোমতে এসোপা খাই পেট ভবালেই হয়, কিন্তু দবাচলতে কবলৈ গলে, এইটো ভ্ৰম-বিশ্বাস মাথোন। সময়মতে আহাৰ কবিলে শৰীৰ ভালে থাকে। যেতিয়াই-তেতিয়াই খালে স্বাস্থ্যৰ বিধিনি ঘটে আৰু পেটৰ অসুখ হবলৈ ভয় থাকে। বং মনেবে খালে খোৱা বস্তু সোনকালে জীণ যায় আৰু ভালকৈ উপভোগ কবিব পাৰি। খাওঁতে লাহে-ধীৰে ভালকৈ চোবাই খাব লাগে; তেনে কবিলে সহজে খোৱা বস্তু জীণ যায়।

জীৱন ধাৰণৰ পক্ষে পানীও বৰ লাগতিয়াল। নিৰ্ম্মল পানী স্বাস্থ্যৰ কাৰণে পৰম হিতকৰ; দূষিত পানী বৰ অনিষ্টকৰ। দূষিত পানীৰ পবা নানা তৰহৰ পেলুৰ বেমাৰ, কলেৰা, সান্নিপাতিক জ্বৰ, পেট-চলা বেমাৰ আৰু প্ৰহণীৰ উৎপত্তি হয়। আমাৰ গাওঁবোৰত এই পানীৰ বৰ নাটনি। "বাইজে নখ জোকাবিলে নৈ বয়।" গতিকে সঙ্ঘবদ্ধভাৱে কাম কবি বাযতসকলে নাদ-পুখুবী আদি খানি খচিবে এই অভাৱ আঁতবাব পাবে। 'স্বাৱলম্বন' বোলা কথাটো কি তাক বাযতক ভালকৈ বুজাই দিলে নানা কৰম জন-হিতকৰ কাম কবিব পাৰি। পুখুবীৰ পানীত নামিগা ধুলে আৰু গক-ঘাইক পানী খাবলৈ দিলে পানী দূষিত হয়। আহল-বহলকৈ দ পুখুবী খানি ভালকৈ বেচি থলে আৰু বছবি পৰিষ্কাৰ কবি থাকিলে পানী ভালেথাকে। মাজে সেইদবে ভাল ঠাইত দকৈ খানিব লাগে আৰু বছবি পৰিষ্কাৰ কবাৰ উপবিও মাজে সময়ে শোধনকাৰক দবব দি থাকিলে ভাল পানী পাব পাবি। কেঁচা নাদ স্বাস্থ্য-বিদিসম্মত নহয়। নৈৰ পানী খোৱা নিৰাপদ নহয়। ভাল পানী পাবৰ উপায় নাথাকিলে পানী উতলাই খাব লাগে। এই সম্বন্ধে মোৰ "গাৱঁলীয়া স্বাস্থ্য" নামেবে কণ-পুথিখনত বিশদকপে লিখা হৈছে। তাবে কিছুমান পুথি আজি এই সম্মিলনত বিনামূল্যে বিলাই দিয়া যাব।

আমাৰ দেশত সৌচবা বেমাবৰ প্ৰাদুৰ্ভাৱ আছে। অজ্ঞতাৰ দোষতে সৌচবা বেমাৰ সিচবতি হয়। সৌচবা বেমাৰ অচিবে দূৰ কবিব পাৰি। 'আবোগ্যতকৈ নিবাবণ ভাল।' এই কথা মনত বাখি চলিলে আৰু নিবাবণৰ ব্যৱস্থা পালিলে ভাল ফল পোৱা যায়। মেলেবিয়া, কলাজ্বৰ, সান্নিপাতিক জ্বৰ, কলেৰা বা হাইজা, বসন্ত বা বৰ-আই সৰু-আই বা হুতি আই পানী-চামবি, যক্ষ্মা বা ক্ষয়বোগ আৰু ইনফ্লুৱেঞ্জা সৌচবা বেমাবৰ ভিতবত এইবোবেই প্ৰধান আৰু সবহ ভাগেই বীজাণুবপবা উৎপত্তি হয়। এই বীজাণুবোব শুদ্ধা চকুলে মনিব নোৱাবি, অণুবীক্ষণ যন্ত্ৰেবেহে দেখা যায়।

এবিধ বেমাবী মহে মেলেবিয়া বিস্তাব কবে; গতিকে মহব কামোবৰ পবা শৰীৰ বক্ষা কবিব লাগে। ওচবত হাবি, পানী বদ্ধ ঘোৱা নলা আদি থাকিবলৈ দিব নালাগে। কাৰণ সেইবোবত কণী পাবি পোৱালি জগাবলৈ মহব বৰ সুবিধা হয়। কুইনাইন মেলেবিয়াৰ অমোঘ ঔষধ। এই সৌচবা বেমাবেবোবৰ সম্বন্ধে বায়তসকলব যি কুসংস্কাৰ আছে তাক যুবক-শক্তিয়ে প্ৰচাব কাৰ্য্যৰ দ্বাৰা, সুকলমে দূৰ কবিব পাবে। সৌচবা বেমাববোবৰ বিশদভাৱে আলোচনা কবিবলৈ এই ক্ষুদ্ৰ প্ৰৱন্ধত ঠাইৰ নাটনি।

স্বাস্থ্যৰক্ষা কবিবলৈ অভ্যাসব সম্পূৰ্ণ আৱশ্যক। কাৰণ, কি খোৱা-লোৱা, কি পিন্ধা-উৰা, কি পবিষ্কাৰ পবিচ্ছন্ন হৈ চলা, সকলোতে অভ্যাসব প্ৰভাৱ আছে। আমকি সময়ৰ মোল বুজি চলিবলৈকো অভ্যাস লাগে। আজিব পবত স্বাস্থ্য-সম্বন্ধীয় কিতাপ-পত্ৰ পঢ়িবলৈ আৰু প্ৰচাব কাৰ্য্য হাতত লবলৈ অভ্যাস কবিব লাগে। 'সময় নাই' বোলা কথাষাব আমাব মানুহৰ মুখতে আছে। সময় থাকিবই লাগিব।

বৰ্ত্তমান যুগ হৈছে আত্মপ্ৰতিষ্ঠাৰ যুগ। এই আত্মপ্ৰতিষ্ঠা লাভ কবিবলৈ সঙ্ঘবদ্ধতাৰ বিশেষ প্ৰয়োজন। আমাব

উঠি অহা, দেশৰ ভবিষ্যৎ আশা-ভাৰসাৰ স্থল ডেকাসকলে সঙ্ঘবদ্ধভাৱে কাম কৰি পৰিষালৰ, সমাজৰ আৰু দেশৰ বহুত উপকাৰ সাধন কৰিব পাৰে।

আমাৰ গাওঁবিলাকত সংগঠন কাৰ্য্যৰ বিশেষ দৰকাৰ হৈ পৰিছে। যুৱকশক্তিয়ে এই কাম হাতত নললে আনৰ দ্বাৰা কৃতকাৰ্য্যতা লাভৰ আগস্তুক নাই। তাকে কৰিবলৈ পোন-প্ৰথমে স্বাস্থ্যসম্বন্ধীয় সভা-সমিতি স্থাপন কৰি হাতে-কামে লাগি যাব লাগে। এনেই বক্তৃতা দি দুখাতকৈ ছাঁয়াবাজীৰ সহায়েৰে স্বাস্থ্য-সম্পৰ্কীয় মূল কথাবোৰ বাযতক থবচি মাৰি বুজাব পাৰিলে সুফল লাভ কৰিব পাৰি। বক্তৃতাৰ লগে লগে খাল-ডোং পৰিষ্কাৰ কৰা, পানীৰ যুগুত ব্যৱস্থা কৰা, হাবি-জঙ্গল কটা আৰু মহ আঁতৰাবৰ ব্যৱস্থা কৰাও যুগুত। আমাৰ ওচৰ-চুবুৰীয়া বঙ্গদেশত কেন্দ্ৰীয় সমবায় মেলেৰিয়া নিবাৰিণী সমিতি, চিত্তৰঞ্জন গ্ৰাম্য সংগঠন সমিতি আৰু বঙ্গদেশীয় সেৱা-দল স্থাপিত হবৰেপৰা জন-হিতকৰ ভালেমান কাম সাধিত হৈছে। এনে ধৰণে কাম কৰিলে অসমো যে সম্পূৰ্ণ কৃতকাৰ্য্য হব, ই ধ্ৰুৱ কথা। উপৰোক্ত সমিতিকেইখন যে-চৰকাৰী অৰ্থাৎ বাইজৰ দ্বাৰা স্থাপিত আৰু পৰিচালিত। সামৰণিত কওঁ যে, লৰালৰিকৈ দুই-চাৰি আষাৰ কথা লিখি আনি কৰ্ত্তব্য পাল মৰা হল মাথোন। বিশেষকৈ প্ৰবন্ধটি নামকৰণ হৈছে "স্বাস্থ্য-সম্বন্ধে দু-আষাৰমান কথা" গতিকে "কাণি-মুনি বাই, মোৰ গাত দায় নাই।"*

* ২।৪।৩২ তাৰিখে ডিব্ৰুগড়ত বহা "অসম কটাৰী যুবক সম্মিলনীৰ ৬ষ্ঠ অধিবেশনত পঢ়া।

মায়াৰ খেলা

(বচনাৰ কাল—১৮২৪ খঁক)

কবিতা— —শ্ৰীযুত বঘুনাথ চৌধাৰী

লাহে লাহে আঁতৰিল শৈশৱ জীৱন,
অনন্তত লীন হল সুখৰ সপোন।
নিভৃত হিয়াত ফুলা আনন্দৰ পাহি
কালৰ সোঁতত গ'ল কেনিবাদি ভাহি।
ধূলি-ধেমালিৰ খেলা জীৱন-অমিয়া
মাৰ গ'ল কেনি ক'ত শূন্য কৰি হিয়া!

গছৰ ডালত দুটি পখী হৰ্ষমনে
সাজিছিল বাহ এটি পৰম যতনে।
হেন সময়ত হ'ল বায়ু সঞ্চালন
ঘনে ঘনে ঢেৰেকনি মেঘৰ গৰ্জ্জন।
চাওঁতে চাওঁতে গছ উভালি পৰিল
জীৱনৰ আশা বাসা সকলো উৰিল!

নিমজ শীতল পাটী শেলুৱা আসন,
সুন্দৰ জোনাক মিশা অতি বিতোপন!
সোণালী বালিৰ স্তৰ, শিলনিৰ শাৰী
বমকজমক কৰি কোনে দিছে পাৰি!
ধীৰে ধীৰে বাগৰিল বাৰিষাৰ ধ'ল
নাজানো ভাঙিলে কোনে প্ৰীতিৰ মড়ল!

প্ৰকৃতিৰ কাননত জকমক কৰি
আছিল শেৱালিজুপি ডাল পাত ভৰি।
সুবিমল সৌৰভত জগত বিভোল,
মদান্ধ ভ্ৰমৰ সিও হ'ল বিয়াকুল।
নিদাকণ হেমন্তই সহিব নোৱাৰি
আলসুৱা ফুলপাহি পেলালে মোহাৰি!

জীৱনৰ সুখ-শান্তি, আশা-অভিলাষ,
দুদিনীয়া ৰঙ-চঙ, আনন্দ-বিলাস,
গতিশীল জগতৰ আচৰিত গতি
কালৰ হাতত সৰে লভে পৰিণতি।
সংসাৰ-হাটত বহি বিশ্ব-বাজীকৰে
খেলিছে মায়াৰ খেলা অতি কৌশলেৰে।

বঙ্গৰ অশান্তি—

অনপতে বঙ্গে নগৰীত মৰিয়ামৰি লাগি বৰ অশান্তিৰ সৃষ্টি হৈছিল। তাৰ ফলত বহুত মানুহে প্ৰাণ হেকৱাব লগীয়াত পৰিছিল। আঘাত পাই জখম হোৱাৰ সংখ্যাও বহুত হৈছিল। আকৌ বহুতে নগৰ এৰি আন ঠাইলৈ পলাইছিল।



ট্ৰাঙ্কৰ দোকান এখন লুটি লৈ জুই লগাই দিয়া হৈছে।



ভয়ত বঙ্গে এৰি গশ্চিমলৈ যাবলৈ এইবিলাক মানুহে ভিষ্টোবিয়া টাৰমিনাচ ষ্টেশ্ৰনৰ বাহিবত অপেক্ষা কৰি আছে।



জুই লগাই দি লুটাক হৈত পলাৰ লাগিছে।



খুন হোৱা মানুহ হাচপাতাললৈ নিব লাগিছে।



পুলিচ আৰু লুটাৰু হঁত



ভয়ত মানুহে ঘৰ এৰি ধৰ্ম্মশালাৰ আশ্ৰয় লৈছে। তেনে মানুহবিলাকে ধৰ্ম্মশালাত খোৱাৰ দৃশ্য।



পহৰা দি ফুৰিছে



পুলিছে দল বান্ধি ফুৰিছে

জাতি-গঠনত নাৰী-শক্তি

—শ্ৰীযুতা স্বৰ্ণলতা শইকীয়ানী

প্ৰকৃতিৰ কাৰ্য্যৰ প্ৰধান উপাদানেৰে পূৰ বিধাতাৰ শ্ৰেষ্ঠ সৃষ্টি নাৰী নামৰ জীৱবিলাকৰ আজি সকলো ফালৰ পৰা পতন আৰু হীনতা দেখি প্ৰশ্নশীল সত্যান্বেষী মানৱে যেন জগতৰ আকাশ-বতাহ সকলোতে সুধিব লাগিছে,—জগতত তিৰোতাৰ ঠাই ক'ত? সেই প্ৰশ্নৰ ধ্বনিত প্ৰতিধ্বনি তুলি প্ৰতিধ্বনিয়েও যেন নিজক শূন্যত মিলাই জগতৰ কিছুমান অমনোযোগীৰ এফলীয়া স্তব্ধতা ভঙ্গ কৰি কব লাগিছে—জগতত তিৰোতাৰ ঠাই ক'ত? ই এটা স্বাভাৱিক প্ৰশ্ন। অৱশ্যে এই বিষয় লৈ অতীত যুগৰ পৰা আজিলৈকে বহুত আলোচনা সমালোচনা আদি হৈ গৈছে আৰু অনেক চিন্তাশীল মনীষীয়ে নিৰ্ণয় কৰি থৈও গৈছে। তথাপি প্ৰকৃতি ৰাজ্যৰ এই নাৰী নামৰ জীৱটিৰ বুদ্ধিশক্তি আৰু তাৰ গতি-পৰিণতিৰ সামঞ্জস্য কম দেখি ত্ৰিকালজ্ঞ মনীষীসকলৰো মীমাংসাত সন্দিহান হৈ, সকলো জীৱত সমদৃষ্টি আশা কৰা কোনো মহত্তৰ প্ৰাণত আঘাত পাই উঠা চৌৱে অথবা কোনো সূচক তাৰ্কিকৰ মুখত পেলোৱা প্ৰশ্নই নিতৌ ন-ন সমস্যাৰ সৃষ্টি কৰিছে। নব যুগৰ নব ভাৱত অনুপ্ৰাণিত হোৱা অনেক জাতীয় সাহিত্যৰ কোনো বান্ধ নোহোৱা কথাৰ এটা নকৈ টুলুঙা সাহিত্যৰ অঙ্গ পূৰ কৰিবৰ সমল সংগ্ৰহ কৰি বৰ্ত্তমান যুগৰ সাহিত্যৰ এটা চুক ৰহস্যময় কৰি তুলিছে। এইটোও কিন্তু কব লাগিব যি কোনো কথাই নহ'ক, তাত ৰহস্য থকা বা সি ৰহস্যময় হোৱাটো শুভলক্ষণ। ৰহস্য ভেদ কৰিবলৈ বুলি সকলোৱে লৰোতে-চৰোতে ঈশ্বৰৰ ইচ্ছাত গুপ্তৰহস্য ভেদ হোৱাটো একো টান কথা নহয়। বৈজ্ঞানিকৰ মগজুৰ ৰহস্যৰ উৎপলিৰ ফল 'ৰেডিয়াম্' আদি বহুমূলীয়া বস্তু জগতে ভোগ কৰিছে।

জগতত নাৰীৰ ঠাই আন দেশত অতীজৰ পৰা ক'ত থৈছে—তাক ঘাটি প্ৰবন্ধৰ আকাৰ নবঢ়াই কেৱল ভাৰততে বিচাৰি প্ৰশ্নৰ কিছু উত্তৰ যোগাব পাৰিলেও লিখাৰ কিছু সাৰ্থকতা হয়।

বেদ-পুৰাণ আদি চাই ভাৰতৰ সনাতন ধৰ্ম্ম আৰু আৰ্য্য অনাৰ্য্যৰ উত্থান-পতনৰ গুৰি জ্ঞান-গৰিমা সভ্যতা আদি চাবলৈ গলে পোনেই বিচাৰ আহে—সেই জাতিৰ মাজত নাৰীৰ ঠাই ক'ত? নাৰীয়ে কি কৰিলে? নাৰীৰ পৰা উপকাৰ হ'ল কি? অপকাৰেই বা কি হ'ল? কোন জাতিৰ মাজত কিমান বিদুষী নাৰী উপজিছিল? কোন বীৰৰ মাতৃ কিমান তেজস্বিনী আছিল? কোন বিখ্যাত ৰজাৰ মাতৃৰ গাত কিমান তেনে ৰজাৰ মাতৃ হব পৰা গুণ আছিল? তেওঁৰ ৰাণীজনাই বা কিমান বিদুষী আছিল?—ইত্যাদি প্ৰশ্ন স্বভাৱতে মনলৈ আহে। সেইদৰে অত্যাচাৰী ৰজাৰ আৰু ভীৰু বীৰ্য্যহীন পুৰুষ আদিৰ বেলিকাত মাক আদি পৰিয়ালৰ তিৰোতাসকলৰ স্বভাৱৰ বিষয়ে মনলৈ ওলোটা প্ৰশ্ন নহাকৈ নাথাকে।

বেদৰ সূক্তবিলাক চালে দেখা যায়—বেদৰ বহুত সূক্ত লোপামুদ্ৰা, বিশ্ববাৰা, অদিতি, উৰ্ব্বশী আদি ভালেমান নাৰীয়ে ৰচনা কৰিছিল, আৰু সেই সূক্তবিলাক বেদৰ অন্তৰ্ভুক্ত কৰা বাবে পুৰণি ভাৰতৰ আৰ্য্য-সভ্যতা কিমান উন্নত তাৰ প্ৰমাণ দিয়ে। বৈদিক যুগত নাৰী-পুৰুষৰ পাৰ্থক্য কোনো বিষয়তে সমাজে ৰখা নাছিল। তাৰ উদাহৰণ এই সূক্তবিলাকতে পোৱা যায়, যেনে—সত্যকাম জাবালিৰ গোত্ৰ-বিচাৰ,—সত্যবিধবাক নতুন সংসাৰ পাতিবলৈ অনুৰোধ কৰা। যথা—

উদীৰ্ঘ নাৰ্য্যাভি জীৱলোকং গতাসুমেতমুপশেষ এহি—
হস্তাগ্ৰাভসহ দিধিষোস্তবেদং পত্যুৰ্জনিত্বমভিসং বভূয়।

সৰল-প্ৰাণা নাৰীৰ প্ৰাৰ্থনাত দেৱতা সোনকালে তুষ্ট

হয়। পটস্তর দিব পাবি—কুক্ষিবাণর জীয়কে ঘোষাব প্রার্থনা, শুকবেদর কোনো একটা সুক্ত আক তেওঁর আরাধ্য দেবতালৈ দাতেবে চোবাই নিবেদন কবা অর্ঘ্য। আক এটি উদাহবণ দিব পাবি—ভাগৱন্তব গোপীসকলব সবল ভক্তি আক বিপ্রা-পত্নী নাগ-পত্নীসকলব গর্ব্বশূন্য সবল প্রার্থনা। সংসাব সমুদ্রত পাবি দিবব জীৱনযাত্রা বোলা গৃহনামে নাৱব প্রধান ওবিয়াল হৈছে নাবী। নাওথন সুকাঠিয়েই হ'ক বা অকাঠিয়েই হ'ক ওবিয়ালজন চতুব সাৱধানী হলে অকাঠী-সুকাঠীলৈ বিশেষ কথা নাই। সেইদেবে যিজন গৃহস্থব যৈণীজনা চতুবা শিক্ষিতা বুদ্ধিমতী সেই ঘবব জেউতিয়েই বেলেগ। পৃথিবীব প্রায়ভাগ মনীষীয়েই স্বীকাব কবিব তেওঁব কৃতিত্বব ওবিতে কোনো এগবাকী কৌশলী নাবী বা তেওঁব সহধর্ম্মিণী নিৰ্লিপ্ত হৈ তেওঁব প্রতিভা বিকাশব সহায়ৰূপে আছেই। যদি কোনোজনে নাবীক সহায়কাবিণী বা মন্ত্রণাদায়িনীৰূপে পোৱা নাই তেন্তে তেওঁব শেষ বয়সত বা ভব-বয়সত মানসিক বিকৃতি হোৱা দেখা যায়। এই বিষয়ে আনাটোল ফ্রান্স আক নিট্চেলে আঙুলিয়াব পাবি।

যি বাজবংশত মহীয়সী নাবীয়ে কোনো ক্ষেত্রত নিজে প্রধানব অংশ লৈ বিশেষ ঘটনামূলক কামত হাত দিয়া নাই, সেই বাজবংশব কীৰ্ত্তি ইতিহাসব পাততে এটা অনুজ্জ্বল কাহিনী। সতী জয়মতী, মুলা গাভুক আদি ত্যাগশীলা বীব-বমণী ওলাব পাবিছিল বাবে, আক স্বর্গদেব শিবসিংহ মহাবাজাই নিজব পাটমাদৈসকলব যোগ্যতা বুজি নিজব প্রতিনিধিস্বৰূপে বাজপাটত বহুবাই নিজব আক আহোম জাতিব মহাসুভবতা দেখুৱা বাবে আহোম জাতিয়ে এটি অনুশীলনপূর্ণ বাজতন্ত্র লবব উপযুক্ত বুৰঞ্জী-বিখ্যাত জাতি আছিল, তাব চিনাকি দিব পাবিছে। এই কীৰ্ত্তিসমূহেই আহোম সভ্যতাব সকলো যুগতে অবিসম্বাদিতভাবে পাবি দিব পাবিব। আহোম জাতিয়ে নাবীব যোগ্যতাব সম্মান বথাব প্রমাণ আক পোৱা যায়।

জাতিব সমস্যা সমাধানকাবী নাবী। বাজপুত ইতিহাস পঢ়িলে সকলোতে দেখা যায়, বাজপুত জাতিব উত্থান-পতনব ওবিত নাবীয়ে কিভাবে কাম কবিছে। মিবিদা পদ্মিনীক লৈ গোটেই চিতোবব বজা-প্রজা বিব্রত অথ কোনো কথাব একো মীমাংসা হৈ যুঠে—তাব মীমাংসা পদ্মিনীয়ে নিজে কবি ললে, "হয় ধর্ম্ম থাকিব, নহয় জাতি থাকিব"। যেতিয়া তেওঁ দেখিলে এই সবল নিৰ্ভীক কঠোব বীর্য্যশালী বাজপুতক চাই যদি তেওঁ এইদেবে দেখা এটা সমস্যাব বস্তু হৈ থাকে তেনেহলে বাজপুতে এদিন পৌকৰ হেকৱাব। থাকিলে "জহবব্রত" ধবি জাতি সম্মান জাতিব গৌৱব জাতিব পৌকৰ অটুট বাখিলে—ই এটা নশ্বব দেহব ক্ষণিক কমনীয়তাত মুগ্ধ হৈ বিজাতীয় শত্রুবে তাত লোলুপ দৃষ্টি পেলাই তেওঁব স্বামীক তেওঁব পবিত্রালক মূঠব ওপবত গোটেই বাজপুত জাতিব বিবুদ্ধি কবিছে, সেই পাপ-শবীব মুহূর্ত্ততে অগ্নিত আহুতি দিলে আক লগব লগবাইতকো মাতি গ'ল,—ধন্য মান জাতিব মান যদি বাখিব খোজা, তেনে মোক অনুসবণ কবা। এই লক্ষ লক্ষ নাবীব আত্মদানে জগতক যেন কৈ গ'ল, যেতিয়া পুৰুষে নাবীব মর্য্যাদা লৈ বিতন্ডহ কৰে, তেতিয়া নাবীয়ে নিজব মর্য্যাদা নিজে বক্ষা কবিব, কাবো গলগ্রহ হৈ যেন নাথাকে। ভাবতব ভবিষ্যত বংশধব সকলকো যেন পদ্মিনীব স্মৃতিয়ে সোঁৱবাই কৈ আছে—"বাঢ়াহঁত, তুই থাকা। তোমালোকব শৌর্য্য বীর্য্য ক্ষ হব ধবিছে,—জগতব নতুন যুগব বাণী তোমালোকে শুনিব পবা নাই, বুজিব জনা নাই। অতীতব মুঠিত ধবি নিজব মস্তিষ্কব অনুশীলন হেকৱাই যাবা গতিকে আমি বাট দেখুৱালোঁ—যেতিয়াটৈকে আগব শৌর্য্য বীর্য্য উনটি নাহে তেতিয়াটৈকে ওই থাকা। এনেকুবা কাহিনী বাজপুত ইতিহাসত বহুত পোৱা যায়। ধাত্রী পান্নাব স্বার্থত্যাগ কি অপূর্ব্ব! পান্নাই জানিছিল, 'নগণ্য' পান্নাব বাবীদবে লবা বহুত পোৱা হব, অতবিলাক গণদেৱতাব ওপবত শাসনদণ্ড লব পবা উপযুক্ত বাজকুমাব উদয় মবিলে আক পোৱা নহব। কি অটল প্রভুভক্তি! বাজদণ্ডধাবীজন যে সামান্য জীব নহয়, তেওঁ যে ঈশ্ববব অংশ এই কথাত কেনে মহান্ বিশ্বাস! পাশ্চাত্য নাবীব ষড়যন্ত্রব লগত পান্নাব ষড়যন্ত্র কেনে স্বর্গীয়! বাজপুত নাবী ইমান বীর্য্যশালিনী আছিল বাবেই আজিও বাজপুত প্রধান

জাতি। বাজপুতে তেতিয়াই যি গা পেলালে আজিও বাজপুতে পূর্ব্বব পুৰুষালি আক গৌৱব লৈ ওলাব পাবা নাই।

পবাধীন ভাবতব আত্মবিস্মৃত অভিশপ্ত সন্তানসকলে সমাজ নামব বাঘজাল তবি অতদিনে নাবীক নিজব আয়ত্তব অধীন কবিবলৈ গৈ নিজব জঞ্জালব বস্তু কবি লৈছিল আক লৈছে। নীতিহীন অনুশাসনব চেপাত পেলাই কত শতাব্দী ধবি অজান আন্ধাবত পেলাই থোৱা আক পুৰুষব বাহিবে ভিতবে এবাব নোবাবা জঞ্জাল হোৱা নাবীসকলো আজি কুবি শতিকাব অহিংস আন্দোলনত পুৰুষব সমানে শিক্ষিতা নিবক্ষবা নগবীয়া পাৰ্লীয়া নিৰ্ব্বিশেষে হাতত স্বাধীনতাব নিচান লৈ দেশব কাবণে জাতিব কাবণে মান অপমান তুচ্ছ কবি বাজবোষত পবি বন্দীশাল বৰণ কবিলে। মহাত্মাব অহিংস যুদ্ধযাত্রাব লগে লগে যেতিয়া জাকে জাকে ভিবোতাসকলে সেই যুদ্ধত নিজব নিজব ভাগ বিচাবি আহিল, তেতিয়া মহাত্মাকে আদি কবি নেতাসকলে বুজিলে, আমাব অহিংস যুদ্ধ কৃতকার্য্য হব। জগতে বুজিব পাবিলে, ভাবতবাসীয়ে এতিয়াও জীৱনীশক্তি হেকৱা নাই, নাবীব ঠাই অটুট আছে।

মহাবাষ্ট্র জাতিব নাবীয়ে ঘোবা চওৱাৰ আদিব যুদ্ধবিদ্যা অভ্যাস অস্ত্রশস্ত্রবতো কবাব ব্যবস্থা আছে। সেইবাবে কাঁসীব বাণী তেজস্বিনী লক্ষ্মীবায়ে ইংবাজব গতিতো যুদ্ধ দিব পাবিছিল।

জাতিব বিশিষ্টতা নির্ণয় হয় নাবীক লৈ। যেনে—খাচীয়া জাতিব বিশেষত্ব, সম্পত্তিব উত্তবাধিকাবী নাবী। মণিপুবীয়া জাতিব বিশেষত্ব, নাবী নৃত্যগীতত পাৰ্গত হোৱা আক তাক অৱশ্যে কবিব লগা। তেওঁলোকব সামাজিক প্রথা, ইউবোপীয় সমাজব বিশিষ্টতা নাবীক সম্মান দেখুৱা। ভাবত-নাবীব বিশিষ্টতা শুকজনক মান কবা। তেওঁলোকব নীতিবীতি মানি সেৱা-দয়া সতীত্বব আহি লৈ ধর্ম্মাচৰণী হৈ সমাজব দান নীবৱে সহ্য কবা ইত্যাদি। সমাজে নির্ম্ভিষ্ট কবি দিয়া ঠাইব যদি নাবীয়ে লবচব কবিব খব, সেই সমস্যাব মীমাংসা নহয়, বিশেষকৈ ভাবতীয় সমাজত। যেনে—বিধবা বিবাহ চলোৱা, বাল্য-বিবাহ নিবোধ কবা ইত্যাদি। নাবীয়ে সাজ-পাব পিন্ধাব লবচব দেখিলে, যুগ পবিবর্ত্তনব ভীতি সমাজে কমকৈ নেদেখে। অসমীয়া তিবোতাই সাধীত ধবিলে, আফিকালিব ছোৱালীয়ে খুবণি নিয়মকাবণ এবিলে ইও এটা ভাবিব লগা কথা ইত্যাদি। কিন্তু পুৰুষব এনে ত্রুটী বহুত; তাত সিমান লাভ-লোকচানব তুলাচনী ধবা নহয়। মহাত্মাই তেওঁব অসম ভ্রমণব অভিজ্ঞতা প্রকাশ কবাঁতে কৈছে—অসমব ছোৱালীয়ে বোবা-কটা নাজানিলে সেই ছোৱালীব বিয়া নহয়। অসমীয়াব ঘবে ঘবে তিবোতাই বৈ-কাটি কাপোব লয়। এয়ে অসমীয়াব বিশেষত্ব। মহাত্মাব বাণীত সি ৰূপ ধবি জগতব চকুত উঠা বাবে অসমীয়া গৌৱবান্বিত।

মহাভাবতব নাবী চবিত্র। বহুল জটিলতাব মাজতো কুন্তী, দ্রৌপদী প্রভৃতি মহতী নাবী গঢ়ি তোলা বাবেই মহাভাবতব এটা উজ্জ্বল যুগ। সেইবাবে মহাভাবতকাব কৃতী শিল্পী। বামায়ণব কাহিনীত সীতাব চবিত্র বেছি চিত্তাকর্ষক নিখুত কৰুণ। খুবণিকালব আই, বুঢ়ী আই সকলব দফতাই অতীতব ঘকৱা জীৱন আমাব উজ্জ্বল কবি তুলিছে।

এজন বিখ্যাত লোকে কৈছে—যি জাতিব নাবী যেছি উন্নত সেই জাতিব সভ্যতাও সিমান গভীব—নাবী প্রগতিয়ে সভ্যতাব জোখ-কাঠি। নাবীয়ে যাঁত ওবি ধবিছে সেই জাতিয়ে সোনকালে সকলোকে চেব পেলাই আগ বাঢ়িছে। যেনে—ফচীয়া, তুর্কী, জাপান প্রভৃতি দেশবিলাক। হিন্দুস্তানই কয় আদি মানৱী শতৰূপাক জন্ম দিহে ৰক্ষাই তেওঁব সৃষ্টি স্থিব কবিব পাবিছে। প্রকৃতিব সহায়তহে পুৰুষব কার্য্যকবী শক্তিব বিকাশ হয়।

পৌবাণিক যুগত অসুব নামব দৈত্য-দানব, যক্ষ-বক্ষ বুলি যি একোটা দুর্দ্দান্ত জাতিব কাহিনী পোৱা যায়—তেওঁলোকব বিবৰণ শুনিলে মনত স্বভাৱতে ধাবণা হয়, তেওঁলোকব অত্যাচাব অনাচাব কবাত বাহিবে আন সজগুণ নাই—তেওঁলোকব জীৱবী-বোৱাবীসকল চাগৈ অতি সাধাবণ জীৱবিশেষ। যেতিয়া তেওঁলোকব নাবী-

সকলৰ ফালে মন কৰা হয়, তেতিয়া কিন্তু তাৰ ওলোটা চিত্ৰ পোৱা যায়। উদাহৰণ স্বৰূপে কেইজনমানৰ নাম উল্লেখ কৰা হ'ল—শৰ্ম্মিষ্ঠা, সৰমা, কয়াধু, মন্দোদৰী, শচী, প্ৰমীলা, দিতি, বৃন্দাৱলী আদি মহীয়সী গৰীয়সী নাৰীসকল। তেওঁলোক অসুৰৰ জীয়ৰী বোৱাৰী হৈও দেৱী-পদবাচ্যা। এইসকলৰ উচ্চতা আৰু অনুশীলনপূৰ্ণ চৰিত্ৰ দেখি অসুৰ জাতিলৈ হোৱা স্বাভাৱিক ধাৰণাই মোট সলায়। নাৰী-সকলৰ চৰিত্ৰই বুজায় দেৱ-দানৱৰ ভিন্নতা কেৱল পুৰুষ-সুলভ সাত্ত্বিক-তামসিক আদি আক্ৰোশপূৰ্ণ দম্ভ লৈ।

কোনো এজন পাশ্চাত্য জ্ঞানীয়ে কৈছে হেনো নাৰী-জাতি অতি বিচিত্ৰ জাতি। এওঁলোক হলে অতি অনুপম স্বৰ্গীয় দুৰ্লভ বস্তু হব, নহয় একেবাৰে নৰকৰ দ্বাৰ। মাজৰ স্তৰত তেওঁ নাৰীৰ ঠাই পোৱা নাই। যি হ'ক, ভাৰতৰ আৰ্য্যসকলে কিন্তু উক্ত জ্ঞানীৰ প্ৰথমবিধ তুলনাৰ চকুবেহে নাৰীক বেছিকৈ চাইছিল। প্ৰমাণ, ভাৰতৰ আৰ্য্যসকলে বিমানবিলাক দেৱতাৰ কল্পনা কৰিছে, সিমানবিলাক দেৱীও কল্পনা কৰিছে, আৰু দেৱতা-সকলতকৈ দেৱীসকলক মহিমময়ী আৰু সাত্ত্বিক ভাৱৰ প্ৰনি কৰি অপূৰ্ব্ব পৰিকল্পনাৰে তৈতে অতুলনীয়া মাতৃমূৰ্ত্তি গঢ়ি তুলিছে। যেনে,—বিদ্যা অধিষ্ঠাত্ৰী সৰস্বতী, সৌভাগ্যৰ লক্ষ্মী, বিপদনাশিনী দুৰ্গা, শক্তিদায়িনী চণ্ডী, পৰমতত্ত্ব কালী, মুক্তিদায়িনী গঙ্গা, পবিত্ৰতাত তুলসী, বসময়ী প্ৰেম-ভক্তিত প্ৰেমময়ী, প্ৰেমযোগিনী দৰিব-নোৱাৰা কল্পনাৰ সমাবেশ বাধা, চিত্তশুদ্ধিত গায়ত্ৰী, চৰিত্ৰ-গঠন আদৰ্শৰ মূৰ্ত্তি সাবিত্ৰী, গৃহিনীমূৰ্ত্তি অন্নপূৰ্ণা, শিশুমঙ্গল, মাতৃমঙ্গলত ষষ্ঠী, বুঢ়ী আইসকলৰ ঠাইত অদিতি, বহুৰি (অসমীয়া ঘৰৰা কথাত যাক বিহকৰমী বা বিশ্ব-কৰমী বোলে) আদি দশমাতৃক ঠাই দিছে। ব্ৰতচাৰিণী উমা, মহাযোগিনী সতী দাক্ষায়ণী, একনিষ্ঠাত অৰুন্ধতী। এনেকুৱা নাম আৰু কত কৰিব পাৰি তাৰ অন্ত নাই। আৰ্য্যসকলে উৰ্ব্বশী আদি অপ্সৰী বেশ্যাসকলকো নিকৃষ্ট আসন দিয়া নাই। একো একোটা গুণৰ বাবে তেওঁলোকো দেবী।

চৈতন্য শতিকাৰ যুগাৰতাৰ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰথমতে কৈছিল, মই তিৰোতাৰ গুৰু নহওঁ, বজাৰ গুৰু নহওঁ ইত্যাদি। কিন্তু নাৰীয়ে নিজ ভক্তি-নিষ্ঠাৰে শ্ৰীশঙ্কৰদেৱৰ মত কিছু পৰিবৰ্ত্তন কৰি নাৰীৰ উপযোগী সুগম সৰল প্ৰথা অসমত নাৰীয়ে পালে। শ্ৰীশঙ্কৰদেৱে, শ্ৰীমাধৱদেৱে দুৱনেশ্বৰী, মেনাৰজী প্ৰভৃতি আইসকলক পাবলগীয়া সম্মাননিধি দিয়াত ত্ৰুটী কৰা নাছিল।

ভাৰতৰ বৌদ্ধযুগো নাৰী-প্ৰগতিৰ বিষয়ে নিমাত নহয়—সঙ্ঘমিত্ৰাকে আদি,কৰি ভালেমান নাৰীয়ে নিজৰ ভাগ লৈ কাম কৰা কথা পোৱা যায়। অশোক ৰাজকুমাৰী সঙ্ঘমিত্ৰাই ধৰ্ম্মপ্ৰচাৰৰ অৰ্থে সিংহল যাত্ৰা কৰিছিল।

পাশ্চাত্য জগতৰ নাৰীয়ে আজি পুৰুষে সৈতে সমানে ফেৰ মাৰি প্ৰতিযোগিতা কৰি নাৰীৰ শ্ৰেষ্ঠতা প্ৰমাণ কৰিব ধৰিছে। কিন্তু তেওঁলোকৰ কৃতকাৰ্য্যতা আশাস্থকণ হোৱা দেখা পোৱা নাই।

ভাৰতৰ নাৰীয়ে অন্তঃসলিলা ফল্গুৰ দৰে প্ৰকৃতিদত্ত স্বভাৰসুলভ নাৰীজনোচিত চৰিত্ৰবলেৰে জগতে নোগোৱা ঠাই অধিকাৰ কৰি আছে। এক কথাৰে কবলৈ হলে নাৰীৰ ঠাই জাতিৰ মূৰ-শিতানত—জাতিৰ শান্তি-প্ৰীতি-নীতিৰ মূল নাৰী—আতীয়তাৰ বন্ধন বা গাঁথনি।

বৈজ্ঞানিক জগত

আমেৰিকাৰ আকাশী পথ

উৰণীয়া জাহাজেৰে অহা-যোৱা কৰা বিষয়ত আমেৰিকা পৃথিবীত সৰাতোকৈ শ্ৰেষ্ঠ। আকাশী পথে উত্তৰ, মধ্য আৰু দক্ষিণ তিনিওখন আমেৰিকাকে আগুৰি পেলাইছে আৰু আটাইবোৰ দেশকে লগ লগাইছে।

মিয়ামি (ফ্লোৰিডা) বপৰা পুৱেদি ৭৫০০ মাইল দীঘলীয়া আকাশী পথ এটা আছে। ই পশ্চিম ভাৰতীয় দ্বীপপুঞ্জ আৰু নানান ঠাইৰ মাজেদি গৈ বাংগ-ডি-জেনেৰো পাইছেগৈ। মিয়ামিৰ দক্ষিণেদি সাগৰৰ ওপৰে ওপৰে যিটো পথ, সি পৃথিৱীত সৰাতোকৈ দীঘল আৰু সি কলম্বিয়া পাইছেগৈ। আন এটা পথ আছে হাভানালৈ, আন এটা আছে বাহামাজলৈ। এইদৰে অসংখ্য আকাশী পথ আমেৰিকাত জালৰ দৰে ছৈছে। প্ৰথম ছবিখনত আমি আকাশ ভ্ৰমণ কোম্পানী কেতবোৰৰ নাম পাওঁ। এনে কোম্পানী আৰু অলেখ আছে। ইয়াৰপৰা অনুমান



আন্তৰ্জাতিক উৰণীয়া জাহাজবোৰ অহা যোৱাত অতি নিয়মীয়া। এই ছবিত উৰি যোৱা আৰু ঘুৰি অহা বিষয়ে তালিকা দেখা ছৈছে।

কৰিব পাৰি আকাশ ভ্ৰমণত আমেৰিকা কেনেকৈ উঠি-পৰি লাগিছে।



উৰণীয়া জাহাজৰ ভিতৰত সুবিধা কৰি থাকিব পৰা খোঁটালী

চকাৰ ভিতৰতে মোটৰ গাৰী



চকাৰ ভিতৰত সজা মটৰগাড়ী

ই এখন মোটৰ গাড়ী। যি চকাটো দেখা গৈছে তাৰ ভিতৰতে ইয়াৰ কল-কব্জা আৰু তাৰ ভিতৰতে দুজন মানুহ বহিবৰ ঠাই কৰা হৈছে।

লছ এঞ্জেলছ



লছ এঞ্জেলছৰ আকাশী দৃশ্য

অহা জুলাই মাহত কালিফর্ণিয়াৰ লছ এঞ্জেলছ নগৰত নানা তৰহৰ আন্তর্জ্জাতিক খেল দেখুৱা হব। প্রতিনিধি সকল থাকি খেল দেখুৱাবৰ কাৰণে নগৰখন সাজু কৰি বখা হৈছে। আৰু ইয়াক পহৰা দি ৰাখিছে। নগৰৰ এই মনোৰম দৃশ্যটো উৰণীয়া জাহাজেৰে আকাশপথৰ পৰা।



বাসায়নিক প্রক্রিয়াৰে এই বান্দৰটোৰ চুলিবোৰ নাইকিয়া কৰি তাক পুতলাৰ দৰে কৰিব ধৰিছে।

"প্রাইভেট বেইলৰোড কাৰ"

এই গাৰী দেখিবলৈ বৰ ভৰনি। ইয়াক এটা বিলাসৰ সামগ্রী বুলিব লাগে। ঘোৰা ৫০ বছৰৰ ভিতৰত এনে গাৰী আমেৰিকাত ৩৫০খনমান সজা হৈছে। ইয়াৰ ২২৫ খনমান



"প্রাইভেট বেইলৰোড কাৰ"

বাৰহাৰত ব্যৱহৃত হৈছে। বাকীখিনি পুলমেন কোম্পানীৰ। এই গাৰীবোৰত শোৱনি-ঘৰ, বান্ধনি-ঘৰ, ঘোৰা ঘৰ, সাজ-বাহন আৰু আন আন সকলো সুবিধা আছে।

অসম বুৰঞ্জীৰ এক অধ্যায়

১৮২৫—৬২ খৃষ্টাব্দ

—শ্রীযুত উপেন্দ্রনাথ বৰুৱা

১৮২৬ চনত য়াণ্ডাবুৰ সন্ধিমতে বর্ম্মাৰ ৰজাই অসম দেশ ইংৰাজক শোধাই দিয়াত কোম্পানীৰ তৰফে কেপ্টেন বিহাৰৰ কমিচনাৰ ডেভিড স্কট চাহাবে শাসন-ভাৰ গ্রহণ কৰে। তেওঁ অনেক লিখালিখি কৰি তেওঁৰ তলত দুজন ইংৰাজ এছিষ্টেণ্ট লবলৈ হুকুম পালে। সেইমতে তেওঁ কাপ্তান হোৱাইটক নামনি অসমৰ আৰু কাপ্তান নিউফ ভিলক ওপৰ অসমৰ তত্ত্বাবধাৰণ কৰিবলৈ নিযুক্ত কৰিলে। তেওঁবিলাক দুয়োজনে দাঁতি-কাষৰত থাকি শান্তি ৰক্ষা হব পাৰে, তাৰ নিমিত্তে বিশেষৰূপে যত্ন লবলৈ আৰু দেৱানী ফৌজদাৰী গোচৰ বিচাৰ কৰিবলৈ অসমীয়া ভদ্রশ্রেণীৰ পঞ্চায়ত-সভা পাতি দি ৰাজকার্য্য চলাবলৈ ধৰিলে। কিন্তু কলেক্টৰী বিষয়ে বহুওৰে ৰজাদিনীয়া ব্যবস্থাকে ধৰিছিল। এই সম্পর্কে ৰবিন্সন চাহাবে তেওঁৰ Descriptive Assam অত এইদৰে লিখিছে।—

"At the urgent solicitation of Mr. Scott for European Assistants Captain (the late Colonel) Adam White was appointed to assist in Lower Assam; and Upper Assam was placed under the charge of Captain Neuifville. These officers exercised a general superintendence and more especially devoted their attention to keeping the peace with the border tribes ; while the Criminal and Civil duties were performed by councils of the Assamese gentry under the name of Punchyets ; and the revenue affairs were carried on pretty much in the same manner as they had existed before the transfer"

এনেতে সন্ধিয়াত থাম্‌তিবিলাকৰ গোলমাল ভাঙিবলৈ যাওঁতে হোৱাইট্ চাহাব মৰা পৰে ; ইপিনে নৰিয়া পৰি নবীন চাহাব ঘোৰহাটত ঢুকায়। ১৮৩১ চনত স্কট্ চাহাবৰ মৃত্যু হোৱাত মিঃ টি, ৰবার্টচন্ অসমৰ কমিচনাৰ হৈ আছে। এই ৫।৬ বছৰ কোম্পানী বাহাদুৰে অসমদেশ পুনৰ আহোম ৰজাকে দিব নে নিদিব এই কথা আলোচনাতে নিয়াত শাসন-কার্য্য শিথিল হৈ প্রজাৰ বৰ আহুকাল লাগিছিল।

পিছে স্কট্ চাহাবে লিখা কথাকে পোষকতা কৰি ৰবার্টচন্ চাহাবেও ওপৰলৈ লিখাত ১৮৩২ চনৰ আৰম্ভতে আহোম ৰাজবংশী লোকৰ ভিতৰত পুৰন্দৰ সিংহকে উপযুক্ত দেখি মটক ৰাজ্য আৰু সদিয়া বাদে ওপৰ অসম খণ্ড দখল দিলে ; মাথোন সন্ধিপত্রত লিখা থাকিল যে বিদেশী শত্রুৰ আক্রমণৰ পৰা ৰক্ষা কৰি থাকিবলৈ ৰজাই ইংৰাজ চর্কাৰক বছৰি পঞ্চাচ হেজাৰ টকা কৰ দিব লাগিব। অন্যবোৰ বিষয়ত ৰজাৰ স্বত্ব ভাৰতৰ অন্যান্য কৰদ-মিত্র ৰাজ্যৰ সমান থাকিব। এই বিষয়ে Descriptive Assam অত লিখিছে—

"By the treaty entered into with him (Raja) his relations with the British government were placed upon the same footing as those of other protected princes ; the entire civil administration being left in his hands, and his territory secured from the attack of hostile states on condition of his paying a tribute of 50,000 rupees per annum to the British government." কিন্তু কি ভৰৰ বিষয় পুৰন্দৰ সিংহই তেওঁৰ ৰাজ্যৰ মঙ্গলাকাঙ্ক্ষী

পৰামৰ্শদাতা নাপাই উপযাচি আগবাঢ়ি অহা স্বাৰ্থপৰ মানুহক ৰাজকাৰ্য্য চলাবলৈ নিযুক্ত কৰিলে! এনেস্থলত ১৮৩৫।৩৬ চনৰ পৰা লালবন্দিৰ টকা বাকী পৰিবলৈ ধৰাত গৱৰ্ণমেণ্টে ৰজাৰ শাসন-প্ৰণালী আৰু ৰাজকোষৰ বিষয় অনুসন্ধান কৰি জানিব পাৰিলে যে প্ৰজাৰ বৰ উৎপীড়ন অথচ ৰাজভৰাল উদং। পিছে অনেক ভাবি-চিন্তি ১৮৩৮ চনত পুৰন্দৰ ৰজাক ভাঙি উজনি অসম খণ্ডও বৃটীচ ভাৰত-ৰাজ্য ভুক্ত কৰিলে। ডাঃ ব্ৰাউন্ পাদৰীয়ে তেওঁৰ The whole World Kin কিতাপত লিখিছে :—

September 24, 1838—Have heard the news of the Jorhat Raja being deposed by the English government on account of his oppression of his people and his delinquency in paying the Government revenue. The whole country is now directly under the control of English officers. অন্য এঠাইত এই চাহাবজনে লিখিছে—From 1834 to 1840 was a .period of excitement, suspicion and defiance on the part of the hill tribes and of panic among the unwarlike Assamese of the Valley.

ইয়াৰ পিছত আৰু লিখিছে ;—In 1839 the seat of government was removed from Jorhat to Sibsagar. এই জিল্লা খাৰিজৰ লগে লগে অনেক অসমীয়া ভদ্ৰ পৰিয়াল শিৱসাগৰলৈ উঠি গল; মণিৰাম দেৱানো সেই সময়তে গৈ অৰ্জ্জুনগুৰিত পকাঘাটৰ পৰা এমাইলমান ভাটীত ঘৰবাৰী কৰি থাকে। প্ৰাণনাথ বেজবৰুৱাৰো ঘৰ দেৱানৰ ওচৰাউচৰি।

In Robinson's Descriptive Assam will be found that under the auspices of Government the Assam Company was formed in 1839 and set up their business headquarters at Nazira.

এই সময়তে কাপ্তান্ ব্ৰডি শিৱসাগৰলৈ মাজিষ্টৰ হৈ আহে। তেওঁক অসমীয়া মানুহে বৰতী চাহাব বুলিছিল আৰু তেওঁৰ কথা অসমীয়া বুঢ়ালোকে বৰকৈ বখানে।

১৮৪৩ চনত বন্দীবেটী মুক্তি ৫ আইন জাৰি হয়। ইয়াৰদ্বাৰা অসমীয়া সম্ভ্ৰান্ত পৰিয়ালবিলাকৰ ভিতৰত বৰ বেমেজালি আৰু বিষম সঙ্কট ঘটাইছিল; কাৰণ বন্দীবেটী বিলাক হঠাৎ ঘৰৰ পৰা গুচি যাবলৈ ধৰাত তেওঁলোকৰ কষ্টৰ সীমা নাইকিয়া হৈছিল।

১৮৪৬ চনত পুৰন্দৰ সিংহ ৰজা স্বৰ্গী হয়। তেওঁৰ মৃতদেহ যিঠাইত দাহ কৰা হয় সেই ঠাই আজিকালি শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াৰ বাটচৰাৰ পৰা ১০০ ফুটমান হে আঁতৰ। তাত মাটি তুলি মৈদাম কৰা আছে। ওখ মৈদামৰ কাষত যিটো চাপৰ মৈদাম আছে সেইটো তেওঁৰ পুতেক কামেশ্বৰসিংহৰ। কামেশ্বৰসিংহ ১৮৫২ চনত ঢুকায় (জুন মাহৰ 'অৰুণোদয়')। স্বাধীন আহোম ৰজাসকলৰ মৃতদেহ মৈদামৰ ভিতৰত গায়ন বায়ন, বন্দীবেটী, সোণ ৰূপ সুমাই দি মৈদামৰ ভিতৰত পোতা দস্তুৰ আছিল। সেইবাবে ইংৰাজ ৰাজত্বৰ আদিতে অসমীয়া মানুহে মৈদামবোৰ খানি সেই ধন-সোণবোৰ নিবলৈ ধৰিছিল।

১৮৫১ চনত মহাৰাণী ভিক্টোৰীয়াৰ স্বামী প্ৰিন্স এলবাৰ্টে লণ্ডন মহানগৰীত যি মহাপ্ৰদৰ্শনী খুলিছিল তালৈ অসমৰ বস্তু মণিৰাম দেৱান, দুতিৰাম বৰুৱা আৰু জনদিয়েক অসমীয়া ভদ্ৰলোকে পঠাইছিল। প্ৰদৰ্শনী ভগাৰ এবছৰৰ পিছত প্ৰদৰ্শনীৰ কমিচনাৰসকলে ওপৰোক্ত ভদ্ৰলোক কিজনলৈ মেডেল আৰু চাৰ্টফিকেট পঠাইছিল। এই সম্পৰ্কে যোৰহাটৰ কাছাৰীৰ ৰেকৰ্ড বহীত টোকা পোৱা যাব।

১৮৫০ চনত যেতিয়া ইংৰাজ চৰ্কাৰে সদৰৰ মিল চাহাবক অসমৰ আফুখেতি বিষয়ে তদন্ত কৰি অসমৰ আভ্যন্তৰিক সকলো কথা চাইচিঁতি ৰেপট দিবলৈ তইনাত কৰিছিল, তেতিয়া তেওঁ প্ৰত্যেক জিল্লাতে এসপ্তাহৰপৰা দহ-বাৰদিনলৈকে থাকি জিল্লাধিপতিৰপৰা সকলো কথাৰ সন্ধেদ লৈছিল। সেইমতে তেওঁ শিৱসাগৰলৈ আহোঁতে অনেক অসমীয়া সম্ভ্ৰান্ত লোকে নিজৰ দুৰৱস্থা বৰ্ণাই বৃত্তিবিধান পাবলৈ দৰ্খাস্ত দিছিল; কিন্তু মণিৰাম দেৱানে বৰচাহাবৰ অনুমতি নলৈ পোনে-পোনে মিল চাহাবক সাক্ষাৎ কৰি অসমৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থা বাহুল্যকৈ বৰ্ণাই যি দীঘলীয়া আবেদন-পত্ৰ অসমীয়াৰে লিখি দিলে সেইখনৰ বিষয়ে মিল চাহাবে এইদৰে হে মত

প্ৰকাশ কৰিছে—"I have received numerous petitions from all classes, but the prayer of almost all of them is for pension in land or money or service. There are no complaints by mauzadars or ryots of oppressive taxation. One petition that of Maniram Das touches on these points. It is so curious a document and being the production of a discontented subject, who had once in his hands the Revenue administration of the country, that I had it translated into English, and submit it for his Lordship's information. The petitioner was formerly collectory Sheristadar, and then Dewan of the Assam Company. He is now out of employ. He is a clever but an untrustworthy and intriguing person. He abuses the whole system, insinuating more than he was ready to express and exaggerating facts and sets forth in detail the grievances under which the upper classes are said to labour. His real motive in decrying the Company's administration and comparing it with that of the Assam rulers is to get the country restored to the management of Raja Purandar Singh's descendants." অৰ্থাৎ মই সকলো শ্ৰেণীৰ লোকৰপৰা আবেদন-পত্ৰ পাইছোঁ, কিন্তু প্ৰায়খিনিৰে চৰ্কাৰী বিষয়, মাটি বা টকাৰ পেন্সন পাবলৈ বিচৰা। মৌজাদাৰ বা ৰায়তে খাজনাৰ হেঁচাৰপৰা কোনো পীড়া পোৱা কথা উল্লেখ নাই। মাথোন মণিৰাম দাসৰ দৰ্খাস্তত হে এইবোৰ বিষয়ে অলপ-অচৰপ ছুইছে। দৰ্খাস্তখন অতি আচৰিত বিধৰ আৰু ই এজন অসন্তোষীয়া প্ৰজাৰ লিপি। দৰ্খাস্তকাৰী এসময়ত অসম ৰজাৰ ৰাজস্ব-সচিব আছিল বাবে দৰ্খাস্তখন ইংৰাজী কৰি মাননীয় লাট চাহাবৰ বিদিতাৰ্থে পঠালোঁ। ইতিপূৰ্ব্বে দৰ্খাস্তকাৰী কলেক্টৰী চিৰস্তাদাৰ আৰু তাৰ পিছত আসাম-কোম্পানীৰ দেৱান আছিল। এতিয়া তেওঁৰ কোনো বিষয়-বাসনা নাই। তেওঁ অতি চতুৰ অথচ অবিশ্বাসী আৰু কুচক্ৰী। তেওঁ কোম্পানীৰ শাসন-প্ৰণালী বেয়া বুলি স্পষ্টকৈ নকৈ প্ৰাকে-প্ৰকাৰে দেখুৱাইছে আৰু ওপৰ খাপৰ মানুহৰ দুখবেদনা বাহুল্যকৈ বৰ্ণাইছে। তেওঁ কোম্পানীৰ শাসন প্ৰণালী অসম ৰজাৰ শাসন প্ৰণালীৰে বিজাই কোম্পানীৰ শাসন পদ্ধতি বেয়া বোলাৰ প্ৰকৃত অভিপ্ৰায় হৈছে যে ৰাজ্যখন পুৰন্দৰ ৰজাৰ বংশধৰইতক চলাবলৈ দিব লাগে।

এনেবোৰ কথাৰপৰা বুজিব পাৰি যে মিল্ চাহাবে দেৱানৰ নিচিনা সাহসী গুণী জ্ঞানী বিচক্ষণ লোক শিৱসাগৰত আছে বুলি নাভাবিছিল। জীৱিকাৰ উপায় নথকা অনেক ওপৰ খাপৰ মানুহৰ আবেদন-নিবেদনৰ মাজত দেৱানৰ স্বাধীন ভাব আৰু স্বদেশ-প্ৰেমপূৰ্ণ দৰ্খাস্ত পাই সদৰৰ মিলে হলৰইড চাহাবৰ প্ৰৰোচনাত অনেক অবান্তৰ মন্তব্য প্ৰকাশ কৰা দেখি মনত বৰ বেজাৰ লাগে। এইবোৰ কথাৰপৰা বুজিব পাৰি যে দেৱানে অন্য কোনো দৰ্খাস্ত কোনো ৰজাৰ হৈ দিয়া নাই। সি যি নহ'ক এই সময়ৰপৰা হলৰইড চাহাবৰ মণিৰাম দেৱানৰ ওপৰত আক্ৰোশ লাগিল।

চাৰ উইলিয়াম হাণ্টাৰ চাহাবে তেওঁৰ Statistical Account of Assamঅত লিখিছে,—In 1852 the Assam Company had 15 gardens in Sibsagar with a cultivation varying from 15 to 500 acres in each……In that year there were only three other plantations in the District—two belonging to a wealthy native and the third to a European gentleman.—অৰ্থাৎ ১৮৫২ চনত আসাম কোম্পানীয়ে শিৱসাগৰত ১৫ খন বাগিচা খোলে, প্ৰত্যেকখনত ১৫ একৰৰ পৰা ৫০০ একৰ চাহ কৰা।……সেই বছৰতে সেই জিল্লাত আৰু মাথোন তিনিখন বাগিচা আছিল—দুখন এজন চহকী অসমীয়া মানুহৰ আৰু এখন এজন ইংৰাজৰ। এইখিনিতে কৈ থব লাগে দুখন চহকী অসমীয়া মণিৰাম দেৱানৰ আৰু ইখন ইংৰাজ উলিয়মচন্ চাহাবৰ যিজন চাহাবে উইল কৰি এলাখ টকা যোৰহাট আৰু গোলাঘাটৰ মানুহৰ শিক্ষাৰ অৰ্থে খৰচ কৰিবলৈ গৱৰ্ণমেণ্টৰ হাতত দি যায়।

মিঃ চেমুৱেল বেইল্‌ডন চাহাবে তেওঁৰ Tea in Assam বোলা কিতাপত লিখিছে—Ther are two or three opinions as to who first caused notice to be taken of the tea plant. Some ascribe the discovery to a Scotchman named Bruce, who travelling in Assam found the tea plant growing wild in the jugles. Others say that various merchants in Calcutta were discussing the chance of imported Chinese seed thriving in Assam, when a native from the Province present, (was it by invitation or by Chance dropping I have a curiosity to know) seeing some tea seed said, "We have the plant growing wild in jungles." This was Maniram Dewan the first native next the then Rajah of Assam —a very rich man with plenty of l cal influence. Be the discoverer who he may, Bruce is reported to have been commissioned by Government to open out land for tea. Indigenous plants were collected and planted, and China seed was imported. Maniran Dewan was not far behind. Having plenty of money he commenced making gardens. Both succeeded. এতিয়া অসমত চাহ-গছ উলিওৱা কথা পাঠক-পাঠিকাসকলে ওপৰত তুলি দিয়া কথাৰ পৰা বিচাৰি উলিয়াই লব পাৰিব। ইয়াৰ উপৰিও তেওঁলোকে মিল্ চাহাবে মণিৰাম দেৱানৰ বিষয়ে লিখা মন্তব্যৰ লগত বেইল্‌ডন্ চাহাবে লিখা কথাৰে তুলনা কৰি চাই দেৱানৰ অৱস্থা আৰু প্ৰতিপত্তিৰ বিষয়ে ন্যায্য মীমাংসা কৰক।

দেৱানৰ ল'ৰা চাৰিটা—(১) তনুৰাম, (২) বিষ্টুপ্ৰসাদ বা বম, (৩) যাদুৰাম,, (৪) গোপাল। ছোৱালী সাতজনী—(১) ফুলেশ্বৰী, (২) দময়ন্তী, (৩) লখিতী, (৪) কুন্তী, (৫) সাবিত্ৰী, (৬) ৰমা, (৭) ৰাধা। শেহৰ দুজনী ছোৱালীৰ বাদে বাকী লৰা-ছোৱালীৰ সতি-সন্ততি অনেক আছে।

১৮৫৭ চনত অনুগঙ্গ প্ৰদেশত বিদ্ৰোহ হৈ ইংৰাজৰ ধৰ-কাছুতি হেৰুৱাই দিছিল। পিছে তয়াময়া যুঁজ কৰিহে সেই বছৰৰ শেহৰ পৰা বিদ্ৰোহানল নুমাব পাৰিছে। এনে বিষম সঙ্কটৰ সময়ত মহামান্য লৰ্ড কেনিং বাহাদুৰে ৫৭চনৰ ১৪আইন জাৰী কৰি জিল্লাৰ গৰাকীসকলক বিদ্ৰোহী লোকক ফাঁচী দিব পৰা ক্ষমতা দিছিল। সেইমতে অনুগঙ্গ প্ৰদেশত গাৱেঁ-নগৰে যিদৰে য'তে যাক পালে ত'তে তাক ফাঁচী দিবলৈ ধৰা শুনিলে শৰীৰ ৰোমাঞ্চিত হৈ উঠে। এনে সময়তে অৰ্থাৎ ১৮৫৭ চনৰ ডিছেম্বৰ মাহত মণিৰাম দেৱানে তেওঁৰ শিৱসাগৰৰ ঘৰৰ পৰা কামেশ্বৰ সিংহৰ পুতেক কন্দৰ্পেশ্বৰ সিংহৰ তৰফে মোক্তাৰ হৈ গৱৰ্ণৰ জেনেৰেলক সাক্ষাৎ কৰি অসম-ৰাজ-পৰিয়ালৰ বৃত্তান্ত জনাবলৈ কলিকতালৈ যায়। এনে সুবৰ্ণ সুযোগ পাই হল্‌ৰইড চাহাবে যোৰহাটৰ দাৰোগা হৰনাথক হাত কৰি যথেষ্ট পুৰস্কাৰ দিয়াৰ প্ৰলোভন দেখুৱাই মৌজাদাৰ, আমোলা আৰু প্ৰজাৰে মিলি গোলাঘাটলৈ কামানি লাইট ইন্‌ফেন্ট্ৰিৰ লগত কন্দৰ্পেশ্বৰ সিংহই বিদ্ৰোহৰ ষড়যন্ত্ৰ কৰিছে বুলি ১৮৫৮ চনৰ ২৬ জানুৱাৰি তাৰিখে বঙ্গাল দেশৰ লেফ্‌টেনেণ্ট গৱৰ্ণৰ চাহাবলৈ মণিৰামৰ বিৰুদ্ধে ৰেপট দি তেওঁক ধৰি আলিপুৰ জেলত বন্দী কৰি থোৱাই গোঁৰা চিপাহী-চন্তৰীৰ মাজত লৈ দেৱানক জাহাজেদি আনি যোৰহাট পোৱালেহি। ইপিনে যোৰহাটত কন্দৰ্পেশ্বৰ সিংহ, পিয়ালী বৰুৱা আদি জনদিয়েক হাজোতত আছে। তেওঁলোক সকলোৱে হল্‌ৰইড চাহাবক ৰীতিমতে বিচাৰ কৰিবলৈ সানুনয়ে জনালে; কিন্তু চাহাবে একে এষাৰে কৈ উঠিল—"Hanging first, trial afterwards." (Vide Fifty year's mission in Assam.) যেনে কথা তেনে কাম অৰ্থাৎ ২৩ ফেব্ৰুৱাৰি তাৰিখে দেৱান আৰু পিয়ালীৰ ফাঁচী হুকুম দি ২৬ তাৰিখে তেওঁলোক দুইকো সিপৰীয়া কৰিলে। পিছে শ্ৰীযুত হিতেশ্বৰ বৰ-বৰুৱাদেৱে **অসম-বিদ্ৰোহৰ** যি কিখন পুৰণি পোকে খোৱা কাকত যোৱা শাওণ আৰু ভাদ মাহৰ বাঁহীত প্ৰকাশ কৰিছে তাৰ পৰা অৰ্থাৎ ২৩ মাৰ্চ্চৰ ৰোবকাৰীৰ পৰা জনা যায় যে ভাবী ষড়যন্ত্ৰ কৰোতেই দাৰোগা মহাশয়ে ধৰা পেলাই অন্ত কৰাত, দাৰোগা মহাশয়ক শলাগি হলৰইড চাহাবে তেওঁৰ প্ৰতিশ্ৰুত পুৰস্কাৰ জ্ঞাপন কৰিছে আৰু তাৰ লগতে বৰবৰুৱাদেৱে বাগিচাৰ চাহাব কিছুমানে ১৬ মাৰ্চ্চ তাৰিখে হল্‌ৰইড চাহাবৰ নামে দিয়া চিঠি এখনো উলিয়াইছে।

সেই চিঠিত জিল্লাধিপতিক জনাইছে যে দাৰোগাই নিজৰ প্ৰাণ আগ কৰি ষড়যন্ত্ৰ ধৰা নেপেলোৱা হলে চাহাব লোকৰ ধনে-প্ৰাণে সকলো গলহেঁতেন ; এতেকে দাৰোগাক আৰু অধিক পুৰস্কাৰ দিব লাগে। এইদৰে they were echoeing the master's voice—এইখন চিঠিয়ে কেনেকৈ দাৰোগাৰ হাত পালেহি আমি জানিব পাৰো নে ? এইবোৰ পুৰণি কাকতৰ কথা সঁচা হব নোৱাৰে, কাৰণ হল্‌ৰইড চাহাবে যোৰহাট কাছাৰীত থৈ যোৱা তেওঁৰ নথীসোপাই—যাৰ নকল A Glimpse of Assam বোলা কিতাপত ছাপা হৈছে, দেখুৱাইছে যে বিচাৰৰ ভেকোভাৱনা ১৮৫৮ চনৰ আগষ্ট মাহলৈকে চলি আছিল. অৰ্থাৎ হল্‌ৰইড চাহাবে শিৱসাগৰ কাছাৰীৰ ফৌজদাৰী চিৰস্তাদাৰক কাম কৰি থকাৰ পৰা ধৰি যেতিয়া জনমভৰ কলীয়া-পানী মেলাৰ হুকুম দিলে তেতিয়া তেওঁৰ জ্যেষ্ঠ পুত্ৰ প্ৰিয়লালে অতিকষ্টে ওলাই চাৰ ফ্ৰেডৰিক হেলিডে চাহাবত আপীল দাখিল কৰিলত তেওঁ স্বয়ং তদন্ত কৰি হুকুম দিব বোলাত, প্ৰিয়লাল শোকে-বেজাৰে ঘৰলৈ উলটি আহিল। চাৰ হেলিডেই পেন্সন লৈ যোৱাত চাৰ পিটাৰ গ্ৰেণ্ট তেওঁৰ গাদীত বহিল; কিন্তু গ্ৰেণ্টৰ ১৮৬২ চনত মৃত্যু হোৱাত চাৰ চিচিল বিডন পাটত উঠে। সেই সম্পৰ্কে Bengal under Lieutenant Governors বোলা কিতাপত লিখিছে—Sir Cecil Beadon assumed charge of the Lieutenant Governorship in 1862. .....During the rains he made a long tour in Assam going to Sibsagar, Sylhet and Cachar. কিন্তু বৰ আচৰিত কথা, বীডন চাহাবে শিৱসাগৰত কি কৰিলে এই গ্ৰন্থকাৰে তাৰ ঘুণাক্ষৰো উল্লেখ নকৰিলে। আৰু লিখকেও ৰেকৰ্ড-কীপাৰ অৱ বেঙ্গললৈ লিখিও একো উৱাদিহ পোৱা নহল ; মাথোন no trace could be made of the records বুলি হে উত্তৰ দিলে। হলৰইডে থোৱা নথীৰ পিঠিত যিবোৰ লিখা হুকুম আছে সেইবোৰ A Glimpse of Assamঅত প্ৰকাশ কৰা হৈছে।

চাৰ এডোৱাৰ্ড গেইট চাহাবে তেওঁৰ History of Assamঅত লিখিছে—"That the Great Sepoy Mutiny of 1857 left Assam untouched." কিন্তু তাৰ পিছলৈ লিখে, the manifestation of uneasy feeling among the sepoys of Dibrugarh, the despatch of naval brigades to Gauhati and the occurrence of mutiny in Jorhat. ইপিনে মণিৰাম আছিল কলিকতাত, দুতিৰামে শিৱসাগৰ কাছাৰীত ফৌজদাৰী চিৰস্তাদাৰ কাম কৰি আছিল আৰু কোনো ঠাইত কোনো ৰকমৰ গোলমাল হোৱা নাছিল। অথচ কন্দৰ্পেশ্বৰ সিংহ আৰু দুতিৰাম বৰুৱাই কলিয়াপানীৰ পৰা খালাচ পাই আহি গুৱাহাটীৰ কুকুৰমুতাত থাকে আৰু তাতে তেওঁলোকৰ মৃত্যু হয়। বাহাদুৰ আৰু ফৰ্ম্মুদ খালাচ পাই আহি যোৰহাটত মৰে। এইবোৰ কথাৰ সম্ভেদ গেইট্‌হেন চাহাবেও নিলিখি কিছুমান আওপকীয়া কথা লিখি থৈছে।

মিঃ এ, মেকেঞ্জি চাহাবে তেওঁৰ North East Frontier of Bengal under Chapter Abor লিখিছে—Owing to the Abor raid in Dibrugarh in January 1858 that Companies of naval brigade, local artillery and Native Infantry numbering 139 in officers and men were sent and arrived at Pasi under the command of an officer of the rank of a Captain on the 19th March, 1858.

১৮৬০ চনত অসমৰপৰা আফুখেতি উঠাই দিয়ে। সেইবাবে নগাৱঁৰ কানীয়াবোৰে পুলিচৰ চিঙ্গাৰ চাহাবক মৰা বুলি কয় ; কিন্তু ১৮৯৩ চনৰ কানি-তদন্ত কমিটী (Opium Commission) বহোতে সেই ঘটনাৰ ৰেপট উইল্‌চন্ চাহাবে বঙ্গ গৱৰ্ণমেণ্টৰ ৰেকৰ্ডৰপৰা অনাই মোক দেখুৱাত জানিব পাৰিলো যে নগাৱঁত পাণতামোলৰ খাজনা লগোৱাও তাৰ অন্যতম কাৰণ। নগাৱঁক আদিতে খাগৰিজান জিল্লা বুলিছিল।

মণিৰাম দেৱানক কলিকতাৰ পৰা বাজে বাজে ধৰাই অনাই যোৰহাটত ফাঁচী দিয়াত অসমীয়া মানুহে যেয়ে যেনেভাৱে পায় সেইদৰে কয়। অন্য কি তেওঁৰ লৰাতিৰোতায়ো কিবা জগৰতহে প্ৰাণদণ্ড কৰিছে বুলি লয়। গৰাকীসকলেও কথাটো এনেদৰে ৰাখিছে যে সঁচা তল পেলাই মিছাটো ৰংচং দি লিখিব লাগিছে। আমি হলে সকলো বৃত্তান্ত অনেক ঠাইৰপৰা গোটাই এই ঠাইত প্ৰকাশ কৰিছোঁ আৰু আমাৰ নিজৰ ধাৰণাও অকাতৰে দিছো।

আত্ম-বিবৃতি

(গ)

শ্ৰীচিত্ৰসেন যখৰীয়া

সেই কেবছৰ বাগিছাৰ পৰা ভাল ৰোজকাৰ হৈছিল। মোৰ বাগিছা কেনেকৈ হল, কিমান অধ্যৱসায় টোপনি ঘাটি, চুৰাপাত চেলেকনি, হামামাটি খোৱাৰ আৱশ্যক হৈছিল সেইবোৰ সুবিধা হলে পিছত ক'ম। ক'ম বুলিও ঠিক কব নোৱাৰিছো, কাৰণ মোৰ অলপ দ্বিধা আছে। আচল কথাটো আপোনাক ভাঙি কোৱাই ভাল। মিছানে, মই পাছৰ দিন কেইটাত অলপ ডাঙৰ ডাঙৰ হোৱা যেন পাইছো, আন নহলেও টকা-কড়ি দুপইছা আছে, ভালে বেয়াই দুখন হেৱাগাড়ী, দুখন লড়ী, ঘৰৰ সমুখত লোৰ বেৰ দিয়া ফুলবাগিছা, দুজোপা টকৌপাতৰ শাৰীৰ বিলাতী গছ, কাষৰ পিনে আলেঙত মাধৈমালতী, ড্ৰইংৰুমত বিজুলী বিচনী যাক বোলে 'অপ-টু-ডেট ইষ্টাইল' সেই সকলো আপোনালোকৰ দহজনৰ অনুগ্ৰহত মোৰ আছে। পিছত আৰু এটা কথা—মোৰ নিজৰ তহবিলৰ কথা নকওঁৱেই-চোন, কাৰণ আজিকালি এই এটা ভয় লগা কথা, টকা থকা বুলিলেও লেঠা নাই বুলিলেও ক্ৰেডিট্ নষ্ট হয়। নোহোৱাতকৈ থকা বোলাই ভাল কিন্তু আপোনাক কৈ থওঁ সম্পাদকদেও, কোনো বৰঙনিৰ লিষ্ট মোলৈ নপঠিয়াব আৰু আপুনিও আপোনাৰ কাকতখন লাভজনক বুলি খেয়াৰ মোলৈ নাযাচিব, (আপোনাৰ আগত সঁচা কথা কোৱাত কি, মই গা ঘূৰাব নোৱাৰাত পৰিছো—এহটো কথা প্ৰকাশ নকৰিব)। কলিকতাৰ পৰা মই সদায় চেক বহী লৈ আহোঁ আৰু মোৰ ঘৰলৈ যেয়ে এটকা দুটকা বৰঙনিৰ বাবে আহে তাৰ আগতে কওঁ 'এটকা বা পাঁচমহাৰ বাবে এখন চেক নিয়া, ভঙা টকা নাই'। বেচেৰাহঁত সৰহ ভাগেই বিবুধি হৈ কয়, "ক'ত ভঙাম!" মই কওঁ "এৰা, সেয়ে অসুবিধা। বাৰু যোৱাচোন অহা বেলিলৈ চাম।"

পিছত কথা হল,—মই যদি সকলোখিনি সঁচা কথা কওঁ, বহুতে দেখিব যে মোৰ জীৱনত একো বিচিত্ৰতা নাই, আনৰ দৰেই মোৰো জীৱন, মোৰ লগুৱা তনুৰামৰো সমানে মোৰ নিচিনা ডাঙৰ হবলৈ 'চাঞ্চ' আছে, তেতিয়া মোৰ এই সন্মানৰ কলচী বিনা ভূঁইকোবে থহি নপৰিব নে? কিন্তু একোবাৰ ভাবো—লেট জাষ্টিছ বিডন—সকলো কথা কৈ দিওঁ, গুমৰফাঁক হৈ য'ক, একো মিষ্টৰীৰ আৱশ্যক নাই, মই যেনে তুমিও তেনে,come and take my chair, I will be burried tomorrow. যিমানে নকওঁ, সময়-সাপেক্ষ;—বোধহয় সত্যক ফাঁকি দি যাব নোৱাৰিম।

আত্ম-বিবৃতি লিখিবলৈ ওলালে যে এনেবোৰ দুৰ্ব্বলতা আহে মই পোনতে ভাবিবই পৰা নাছিলো। মোৰ একান্ত ইচ্ছা আছিল যে মোৰ নিজৰ লেখনীৰ সহায়েৰে এডোখৰ ঠাই জুৰি-কাটি ভবিষ্যত বঙ্গলাৰ বাবে মোকলাই লম; যাওক, দেছি দিন জীয়াই নাথাকিম বুলি আৰু বিশ্বাস হৈছে। হুমুনিয়াহ আহে।

বাৰু, পিছত কি হ'ল জানে নে? সকলোৱে লৰা বিলাতলৈ পঠিয়ায়, মই নপঠিয়াম কেলৈ? মোতকৈ যিসকলৰ বাগিছাৰ অৱস্থা ভাল তেওঁলোকে নহয় পঠিয়ায়, কিন্তু চিদাম দাস, বীৰহৰি ভূঞা, ৰবিধৰ বৰুৱা, পদ্মৰাম ডিহিঙীয়া, মিজিঙা কোৱঁৰ এওঁলোকে যদি লৰা বিলাতলৈ পঠিয়ায় মই নপঠিয়াম কিয়? বহুতে কয় বিলাতলৈ লৰা গলে বেয়া হয়, বেয়া হওক, let them go to hell! আৰু বেয়া হওক তথাপি এটা ক্ৰেডিট তো আছে। মই সিবেলি কলিকতাৰ ছাত্ৰসভাৰ বছৰেকীয়া অধিবেশন এটাত অকস্মাৎ গৈ সভাপতি হলো, তাত এজন সুন্দৰ পিন্সনেজ বীতচকু লগোৱা ডেকাই বক্তৃতা কৰিলে যে

আমি যেনেকৈ হলেও বিলাতলৈ যাব লাগে, তাৰ বাবে বহল বাট পৰি আছে, পাৰিলে দেউতাকৰ টকা খুজিমাগি, নহলে লুটি-পুতি লওক আৰু তাকে নোৱাৰিলে নিৰ্ভয়ে এই পন্থা অনুসৰণ কৰক। এই বুলি তেওঁ হাতৰ মুঠি টানকৈ বান্ধি পকাই জোৰেৰে কবলৈ চেষ্টা কৰিছে, ডিঙ্গিৰ শিৰ টনটনীয়া হৈছে, কব পৰা নাই, শ্ৰোতাসকলে তেওঁৰ মুখলৈ চাইছে, আগত বহা আইতাসকলেও কেৰাহীকৈ চাইছে। তেওঁ শেষত কলে—'Beg, Borrow or Steal.' সকলোৱে উশাহ ললে। চাবাছ, মোৰ লৰা তেতিয়া সৰু, মেট্ৰিকৰ দ্বিতীয় শ্ৰেণীত পঢ়িছিল। সিও গাড়ীত ঘৰলৈ আহোঁতে কলে, 'ময়ো বিলাতলৈ যামদেই দেউতা!' মই তেতিয়া অকল হাহিছিলো, লাহে লাহে মোৰো ধাৰণা বদ্ধমূল হ'ল যে লৰা বিলাতলৈ পঠিয়াম —God will take care of the consequences!

যক, আগেয়ে যদিও মোৰ লৰাৰ বেঙ্কাৰ কোম্পানীকা 'টমাছ কুক' বুলিছিলো এতিয়া বিলাতলৈ পঠিৱা লৰাৰ বাপেক হৈ সেই পুৰণিকলীয়া নাম কোৱাটো অন্যায় হব, 'থচ এণ্ড কো' এয়ে আধুনিক পৰিচয়। 'থচ এণ্ড কো'ৰ লগত সকলো বন্দোবস্ত কৰি লৰা বিলাতলৈ পঠিয়ালো। মিঃ জে, বৰুৱা আৰু আন আন দিহাপোহা পোৱা কেবাজনো ভদ্ৰলোকৰ দিহা-পোহা ললো, ইণ্ডিয়া পাব্লিশিং হাউছৰ বিলাতৰ কোৰ্ছ সম্বন্ধীয় প্ৰকাশিত কাকত-পত্ৰ আনি যোগাৰ কৰি লৰাক দিলো, সি সকলোকে সামৰি সুতুৰি In cabin লগোৱা ছুটকেছত ভৰাই ললে। কোৰ্ছ সম্বন্ধে মই একো ডিৰেকশ্যন নিদিলো, হাইডপাৰ্কৰ ওচৰত বোলে আমাৰ বহুত ভাৰতীয় লৰা থাকে, তাতেই উঠিবলৈ কলো আৰু আমাৰ ইপিনৰ লৰাহতৰ লগত দিহা পৰামৰ্শ হৈ যি হয় এটা লাভজনক কোৰ্ছ লবলৈ তাক অধিকাৰ দিলো। নিজৰ লৰা, কেনেকৈ নো কওঁ যে তাত বোলে অবাধে তিৰুতা আৰু ছোৱালীৰ সঙ্গ পোৱা যায় সিহতৰ লগত বেছি সনাসনি নকৰিবি, তাতে মোৰ যি দুধ-কোৱৰ লৰা, তাৰ ধুতুৰি তেতিয়াও নিপোটল, সৰু কোমল নোম কেইডালমান কুম আৰু ধুতুৰিৰ তলত অলপ দীঘল হৈছে, গোফডাঢ়ি বুলিবলৈ তেনে,একো নাই, তাহানি মোৰ কোলাত উঠি ডাঙৰ হ'ল, তেতিয়াও মাকে কোলাত লৈ চুমা খাব পৰাতে আছে। ধুতুৰিটো পিটিকি এটা চুমা খাই বোপাক জাহাজত তুলি দিলো, সি গালেদি বাগৰি অহা চকুলো দুটুপি ৰুমালেৰে টুকি বহল চকুজুৰি আৰু ডাঙৰ কৰি মোলৈ চালে, চকুলোৱে আকৌ ছাটি পেলালে, সি চকু মুদিলে, জাহাজ মই থকা বোটৰ পৰা হুচহুচকৈ আতৰি গ'ল, মোৰো চকুৰে গিৰগিৰকৈ চকুলো সৰিল। মোৰ লৰাৰ ওচৰত থকা বঙ্গালী লৰা এজনে তাক কলে, "touch your hat" কাৰণ আমাৰ সি টুপা পিন্ধিয়ে মোৰ পৰা বিদায় লৈছিল। মই মনতে ভাবিলো—'আমাৰ বোপায়ো সেইবোৰ শিকিব।'

লৰা বিলাতলৈ পঠিৱা কি কথা ভুক্তভোগীজনে হে জানে। মোৰ লৰাৰ বিৰুদ্ধে মই একো কব নোখোজোঁ; কব নোখোজাৰ কাৰণ দুটা—এটা, নিজৰ লৰাৰ বিৰুদ্ধে কৈ একো লাভ নাই, তাতে তাৰ গাত খুচিলে নিজৰ গাতে খোচ পৰে আৰু দ্বিতীয় কথা, সি এতিয়া মেজৰ অৰ্থাৎ চাবালক, মোৰ বিৰুদ্ধে কোনো আইনসঙ্গত কাৰণ পালে আদালতৰ আশ্ৰয় লোৱাও একো টান নহয়। বিলাতলৈ গলে মানুহে কৰ্ত্তব্যাকৰ্ত্তব্য শিকক নিশিকক 'ৰাইটচ' বোলা কথাটো শিকে আৰু "whether an action lies"—'lies' মানে 'lies in the Law Court' অৰ্থাৎ actionable হয় নে নহয় ইয়ালৈ সদায় চকু ৰাখে। সিদিনাখন মহাত্মা গান্ধী ঘূৰি আহোঁতে এৰাতি পেৰিচ নগৰত খপিলে, তাতে তেওঁৰ বহাৰ ওচৰত থকা দুগৰাকী মাইকীৰ বোলে মহাত্মা গান্ধীক দেখা কৰিবলৈ অহা মানুহৰ দলদোপত ৰাতি ভালকৈ টোপনি নহল, সেই কাৰণে মহাত্মা গান্ধী যাৰ আলহী আছিল তেখেতৰ ওপৰত ক্ষতিপূৰণৰ মোকৰ্দ্দমা কৰিলে। আমাৰ হলে মনত সন্দেহ হয় যে এই দুগৰাকী মহিলাৰ বা ব্যৱসায় কি আছিল—টোপনিত বাহিৰেও আৰু কিজানি কিবা প্ৰকাৰে ক্ষতি হল। আপোনাৰ 'আৱাহন' পেৰিচলৈ নাযায় তো! তেতিয়া হলে এইখিনি কথাতে আকৌ কিবা খুত উলিয়ালে আপোনাৰো বিপদ,—আজিকালি 'বোনাফাইডি' প্লিড কৰিও ৰক্ষা নাই,—

হুজুৰৰ মৰ্জ্জিয়েহে বিচাৰ। সন্দেহ হলে কাটি থব। পিছত মোৰ লৰাও সেই একেহে, পেৰী (পেৰিচ নে পেৰী?) নগৰীত শিক্ষা পোৱা লৰা জানোচা কিবা এটা ক্ষতিপূৰণৰ দাবী কৰি বহে আৰু লগে লগে মই সৰহদিন সংসাৰত নাথাকিম বুলি এফিডেভিট কৰি যদি "এগ্ৰিমেন কোৰোক" দিয়ে, বৰ লঘু হব লাগিব। সেই কাৰণে সেই বিষয়ে অলম্। কিন্তু খবৰ পাইছো, প্ৰায় পজিটিভ বুলিব পাৰি যে সি আহিব, তাত আৰু নাথাকে। মই সেই মৰ্ম্মে কেব্‌ল্ পাই দুশ পাউণ্ড পঠিয়াইছো, তাৰ বোলে চিকিৎসা আদিত তাত ভালেখিনি লায়েবিলিটি হৈছিল, মেৰিয়নেট বোলা ছোৱালীজনীৰ বাপেকৰ সহায়তহে গ্ৰেপ্তাৰ আদি নোহোৱাকৈ কোনোৰকমে ৰৈ আছে। ছোৱালীজনীও তাৰ লগতে আহিব খুজিছিল, সম্প্ৰতিকৈ এৰি অহাৰ দিহা কৰিছে, সেয়ে ভাল, মোৰো তেওঁলোকৰ নিচিনা ছোৱালীক ৰাখিবলৈ অৱস্থাই অলপ নুজুৰিব যেন লাগে। আহিলে ভাল দিয়কচোন ডাঙৰ মানুহৰ ছোৱালী দুদিন আমাৰ ইয়াতে থাকিব-বব, ফুৰিব-চাকিব, আকৌ য'ৰে ছোৱালী তলৈকে গুচি যাব। বোপাৰ অসুখৰ সময়তো বোলে বেচেৰীয়ে বহুত নিশা টোপনি খটিছে। নিজৰ মাক ভনীয়েক কাষত নাই যেতিয়া সেইবোৰে মাক-ভনীয়েক, বেচেৰীলৈ মোৰো মৰম লাগে। তাতে বোপাই তেওঁৰ বিষয়ে যি লেখিছে একো বেয়া বুলিব নোৱাৰি, সেইখিনি কোমলতা মানুহৰ বুকত থকা উচিত। বুঢ়া হলো, কেকোৰাৰ দৰে লৰা-ছোৱালী, দুখ-দুৰ্গতি সকলোৱে বুক কুটি কুটি ধুনাধুনি কৰিলে, এনেই বুঢ়াৰ নীৰস বুকু তথাপি মোৰ কিবা ছোৱালীজনীলৈ মৰম চপা নাই নে? আৰু যদি বিশ্বেশ্বৰৰ জমীদাৰ পুত্ৰৰ পৰিত্যক্তাই হয়, যদি অৰুণৰ কথা বিশ্বাস কৰিব পাৰি—তত্ৰাচ, বেচেৰীলৈ কৰুণাৰ উদ্ৰেক নহৈ নাথাকে। আৰু যদি মই সন্দেহ কৰা ৰকমেই হয় তেতিয়া লৰাৰ ভাব-গতি চাই যি হয় উপস্থিত ক্ষেত্ৰত এটা কৰা যাব। এতিয়া বোধ হয় তেওঁক লগত ননাই ভাল হব। ছিঃ, সন্দেহ কৰো কিয়? যদি তেওঁৰ সচাকৈয়ে ভাৰতীয় শিক্ষা বা সাধনাৰ প্ৰতি আগ্ৰহ হৈছে মই তেওঁৰ সজপথত বাধা দিওঁ কিয়? মিছ শ্লেডে মহাত্মাৰ কাৰ্য্যত সহায় কৰিছে, চিষ্টাৰ নিবেদিতাই স্বামী বিবেকানন্দৰ চৰণ প্ৰান্তত শিক্ষা লাভ কৰিছিল, এনিবেচাণ্ট আজিও ভাৰতৰ মঙ্গলকামী বুলি জনাজাত; দেশৰ কথা এৰি দি ব্যক্তিৰ কথা ভাবি চালেই পাই বুঢ়ামোল্লাই সিদিনা দাৰ গ্ৰহণ কৰিলে তৰুণা ৰমণীৰ বৈধব্যৰ বোজা পাতলাবলৈ আৰু নিজে কোমল লতাজোপাৰ তলত বাৰ্দ্ধক্যৰ বোজাটি থৈ অলপ আউজি বহিবলৈ। মোৰ লৰাৰ যদি এনে সদাশয়ও হৈ থাকে মই বিধি-পথালি দিওঁ কিয়,—খিলাফটে তেওঁৰ মঙ্গল কৰক—খলিফা তো আৰু নাই, খিলাফটেই সাৰ।

এটা কথা সম্পাদকদেও আপুনি ভাবি চাইছে নে? দেশৰ সকলো সমস্যাই আপোনালোকক খুন্দিওৱা উচিত। কেৱল অৰ্থনীতি, অৰ্থনীতি—এইবোৰ মই পছন্দ নকৰোঁ—ৰাজনীতিও মই পছন্দ নকৰোঁ, চৰকাৰৰ দণ্ড-নীতিও মই কবলৈ হলে আপোনালোকৰ পৰিধিৰ ভিতৰত নহয়। অন্য বহুত সমস্যা আছে,—সমস্যা বুলিলেই আপোনালোকে মৈমনসিঙীয়াৰে অসম-ভৰণ, বা উন্নত-অনুন্নত জাতিসমস্যা আদি একো নাভাবিব—সেইবোৰ কাল্পনিক—কিন্তু বিয়া-বাৰুৰ কি কৰিছে? সিদিনা অসমত পেটেলৰ অসবৰ্ণ বিবাহ বিল থেকেচা খাই ঘূৰি আহিল। আপোনালোকে লগুণৰ দোহাই দি সাতামপুৰুষীয়া প্ৰথাৰ দোহাই দি তাক কোনো ৰকমে গ্ৰহণ কৰিবলৈ সন্মত নহল। কলিকতীয়া কাকতত সিদিনা দেখিলো শ্ৰীযুত ৰামানন্দ চট্টোপাধ্যায় প্ৰমুখ্যে মুখিয়ালসকলে (চট্টোপাধ্যায় ডাঙৰীয়া আপোনাৰ নিচিনা সম্পাদক কিন্তু) অসবৰ্ণ বিবাহৰ চেষ্টাৰ বাবে লীগ গঠন কৰিছে আৰু আপোনা-লোকে কৰিছে কি 'বাণিজ্য-বাতিৰি-সমিতি।' নালাগে বাণিজ্য। ঘৰৰ ছোৱালীবোৰ লোকে নিয়ে,—লোকৰ ছোৱালীৰে আমাৰ ডেকাসকলে ঘৰ কৰিবলৈ বিচাৰি ফুৰিব ধৰিছে,—আপোনালোকৰ চকুত পৰিব পায়। সিদিনাখন কলিকতাত একেদিনাই এনে দুখন বিয়া গল, মই পোৱা চিঠি দুখন ইয়াৰ লগতে পঠিয়ালো, সচা-মিছা আপুনি মিলাই চাব। অৱশ্যে আমি নকওঁ যে অসমীয়া ছোৱালী বঙালীত দিলে জহন্নামে যায় বা পঞ্জাবী ছোৱালীৰে ঘৰ কৰি অসমীয়া মতাই অসমীয়াৰ নামত সাতকিল মাৰে—

কিন্তু এটা কথা বোধ হয় আপুনি স্বীকাৰ কৰিব, দুই এজন যোগ্যজনত বাহিৰে বাকীবোৰে প্ৰায় প্ৰাদেশিক বান্ধ ভাঙি অকুল জাতি-সমুদ্ৰৰ মাজত মাৰ যায়। অসমৰ লগত পুৰণি সমন্ধ স্মৃতিত মাত্ৰ পৰিণত হয়, নাতি-পুতিৰ দিনলৈ এই সমন্ধ প্ৰাত্নতাত্ত্বিকৰ হাতত দি নিশ্চিন্ত হোৱা দেখা যায়। এই বিষয়ত ছোৱালী বাছোঁতা ডেকাসকলৰ গাত কিমান দোষ বা গুণ মোৰ আলোচনা কৰিবৰ ইচ্ছা নাই; কিন্তু ইমানেই চকুত পৰিছে যে এই ডেকাসকল শিক্ষিত (প্ৰায়ভাগেই বিলাত-ফেৰৎ), অৱস্থাপন্ন আৰু বুদ্ধিবৃত্তি-সম্পন্ন। তেওঁলোকৰ জোখাৰ ছোৱালী অসমীয়া সমাজত নোহোৱা নহয় কিন্তু আমাৰ ছোৱালীবোৰে পিছ হুহকি ফুৰে। এওঁলোকক লাগে কাষলতিৰ তলত হাতখন চেপা মাৰি লৈ চৌৰিঙ্গিৰ ৰাস্তা পাৰ হব পৰা লগৰীয়ানী; কিন্তু আমাৰ ছোৱালীয়ে ৰান্ধনি-ঘৰৰ পৰা বৰঘৰলৈ যাওঁতে হাতত ধৰিলেও কয় 'এৰি দিয়ক, কোনবাই দেখিব'। দ্বিতীয় কথা, আমাৰ শিক্ষিতা ছোৱালীসকল প্ৰায় অৱস্থাপন্ন ঘৰৰ, থাকেও অলপ ভালকৈ। আনপিনে অসমীয়া ডেকা সকলৰ সৰহভাগেই টানি-মানি কোনোৰকমে পঢ়াৰ খৰছ চলায়, বিদুষী ছোৱালী এজনীৰে ঘৰ কৰা কল্পনাৰ ফালৰ পৰা ভাল পায়, সেই কাৰণে চিঠি পত্ৰ লেখিবলৈ পালে তালৈ আওহেলা নকৰে, কিন্তু তেওঁলোকক খুওৱা, তেওঁলোকৰ ভবিষ্যত সতিসন্ততিৰ সুব্যৱস্থা কৰা বহুতৰ পক্ষে সাধ্যাতীত যেন লাগে; কাজেই ওচৰ চাপি গৈ কোমল হাতখনি তুলি লৈ হুমুনিয়াহটি পেলাবৰ সাহ নকৰে। ফলত হয় কি দাতিতে বহি থকা বঙ্গালী লৰাজনে ৰেহ-ৰূপ চাই থাকি আজি স্কুৱেৰত, কালিলৈ পাৰ্কত, পৰহিলৈ "গড়ৰ মাঠত" লগ ধৰে। তাৰ পিছত যেতিয়া every thing settled তেতিয়া অসমীয়া ডেকাই বিমৰিষ হৈ হুমুনিয়াহ পেলায়; মনতে ভাবে 'I think, I could hve got the chance.' বাপু, সেয়ে যদি অভিপ্ৰায় হয়, যিদিনা ষ্টেশনত বঙ্গালী লৰাজনক তেওঁক Send-off দিবলৈ গৈ বীতচকু মচি নিচেই ওচৰতে যেতিয়া কথা কোৱা দেখিলা তুমিও দেখোঁ খিৰিকিত হাত থৈ কব পাৰিলাহেঁতেন 'এই কাষৰ গাড়ীতে মই উঠিছো, কিবা অসুবিধা হলে গম পাম বুলি আশা কৰোঁ।" বঙ্গালী লৰাও আতৰি গলহেঁতেন তোমালোকেও ডিঙ্গি বাহিৰলৈ উলিয়ালে বহুত সময়ত চকুৱে-চকুৱে পৰিলহেঁতেন। তেতিয়া হলে তোমাৰ অন্তৰতো পিছত বৃশ্চিক দংশন নহল হেঁতেন আৰু তেওঁৰো মুখৰ ৰং বঙ্গালী ডেকাৰ জোকাৰ খোৱা ৰুমাললৈ চাই ইমান ৰঙা নপৰিলহেঁতেন।

অলপ অচৰপ ৰক্ষণশীলতা আমাৰ সকলোৰে আছে। প্ৰদেশত মনৰ জেখোৰে দৰা-কইনা পালে বাহিৰলৈ যাবলৈ সকলোৰে অনিচ্ছা। দুয়োপক্ষই অভাৱ অভিযোগ বুজি mutual adjustment এটা কৰি লোৱা বাঞ্ছনীয়। অভি-ভাৱকসকলো শিলৰ খুঁটি নহৈ পাত্ৰ-পাত্ৰীৰ যোগ্যতা আৰু মনৰ মিললৈ অলপ লক্ষ্য ৰখা ভাল। জাতিকুল বিষয়েও অলপ উদাৰ হোৱা সমাজৰ পক্ষে হিতকৰ। আমি সাময়িক পৰিবৰ্ত্তনৰ ফাললৈ চকু নৰখাৰ ফলত বহুত অসমীয়া গৃহলক্ষ্মীয়ে বিদেশীৰ ঘৰ পোহৰাইছে আৰু বহুত পোহৰাব। বহুত অসমীয়া উন্নত ঘৰত প্ৰাদেশিক সংমিশ্ৰণৰ ফলত অসমীয়া ভাষাৰ বাবে ঠাই নাই, ৰচনা বা সাহিত্য আলোচনাৰ বাবে অৱশ্যে আছে। অসমৰ এনে দিন অহা নাই যে ভিন্ন প্ৰদেশৰ সন্ততিসকলে অসমীয়া বুলি পৰিচয় দিব; বৰং কাউৰীলৈ মনত কৰি তেওঁলোকক কোনো এজনে মূৰ খজুৱাই অসমীয়া বন্ধুক সুধিব—"কাককে তোমাদেৰ ভাষায় কি বলে?" আৰু কামৰূপৰ লৰাই উত্তৰ দিব, "তোমালোকৰ ভাষাতো কাকেক কাকে বোলে। আমাৰ লেখা ভাষাত হয় কাকৈ।" বঙ্গ-অসমীয়া সন্তানে ভাষা বিশেষজ্ঞৰ চেহেৰা লৈ কব "আমি ভেবেছিলুম তোমাদেৰ পাহাড়ে উচ্চাৰণ একটু হ্ৰস্ব হবে কিন্তু দেখ্‌ছি দীৰ্ঘ হয়।" এৰোঁ আয়ত্ত হোৱা বঙ্গালীৰ জ্ঞান আশ্ৰয় কৰি কব—"আসামে সব হয়।"

এই বকলা এনেই কোৱা নাই। মোৰ স্বাৰ্থ আছে। মোৰ লৰা ঘূৰি আহিলে জানো কি হয়। অসমীয়া আইটীসকলক এই কথাষাৰিয়ে কাণ ছুৱাব। বোপাটি-সকলেও যেন বেয়া নাপাব।

পার্থ-সারথি

(আগর সংখ্যার পিছবপরা)

নাট—

—শ্রীযুত বিনন্দচন্দ্র বরুরা, বি-এ

তৃতীয় অঙ্ক

চতুর্থ দৃশ্য

[শিবিবর ভিতব—আউলী-বাউলী হৈ উত্তবাব প্রবেশ, পাছে পাছে বেজাব মনেবে সখীসকলব প্রবেশ]

উত্তবা—(কান্দি কান্দি) মোব কি হল! মই কি কবো! কলৈ যাওঁ। সখী, মই এতিয়াও জীয়াই আছো নে? মোব বুকু ভাগি গল! (বুকুত হেঁচা মাবি ধবি ধবিব খোজে) মোব এই পৃথিবীব অবশ্যক নাই! গোটেই পৃথিবী পুবি ছাই হল! মৌলে একো নাই! (বহি পবে, প্রথম সখীবে চাপি ধবে, উত্তবাব মুব সখীব মুবত থলি.পবে, আন এজনী সখাবে মুবত বিচে, সখীসকলে চকুপানী টোকে)

১ম সখী—সখী! সখী! (চকুপানী টোকে) হে প্রভু, ইয়াকে চাবলৈ জীয়াই দৈছিলা, সখা! সখী!

উত্তবা—(উঠাপ খাই উঠি) নাথ! নাথ! ইমান কাণো কবো তথাপি ইমান পলম! মোব ফুলব মালা যে শুকাই যায় নাথ! বব সুন্দব নাথ! আমাব সংসাব বব সুন্দব। হে প্রিয়তম! হে দেবতা! তুমি মোব,—কেবল মোব, আক কাবো নোহোবা, নহয় নে? বাঃ তুমি যে বব বীব, তোমাব গাব তেজব চেকা একো পাহি জবা ফুল। আঃ কি সুন্দব কোমল মধুব পবশ তোমাব। (সখীব হাতত থাকোচা মাবি ধবি সখাব মুখলৈ চায়) আঃ তুমি, তুমি সুভদ্রা নন্দন! উত্তবাব দেবতা নোহোবা? তেন্তে (মুব দুকুবাই আকৌ কোলাত থলি পবে। সখী সকলে আনন্দলে চকুপানী টোকে)

১ম সখি—সখি,সখি! (২য় সখীয়ে মুবত বিচি দিয়ে) হে হবি! তোমাব কি লীলা!

উত্তবা—তেন্তে সখি মোব প্রাণব দেবতা সচাকৈয়ে নাই? কোনে মোব প্রাণব দেবতাক মোব বুকুব পবা ছিণ্ডি লৈ গল। আচবিত কথা! মিছা কথা সখি, মিছা কথা, শ্রীকৃষ্ণব ভাগিন, মহাবীব অর্জুনব অতি মবমব পুত্র, উত্তবাব প্রাণব দেবতাক কি যমে লৈ যাব পাবে? অসম্ভব, যমব ইমান সাহ হোবা নাই। নহয় সখ! মোব স্বামীব মৃত্যু হোবা নাই, তেওঁ ধেমালি কবিছে, মোক ভয় খুৱাইছে। সৌবা সৌবা মোব প্রাণব দেবতা, মোব ইং-পবকালব ধন মোব ওচবলৈ লবি আহিছে। আহাঁ, মোব দেবতা! (ধপকবে উঠি একেফালে একেধবে চাই হাত মেলি যায়, সখিয়েকে ধবে)

১ম সখি—সখি! সখি! তোমাব ভ্রম হৈছে সখি!

উত্তবা—তোমাব ভ্রমনে মোব ভ্রম সখি? (অলপ পব ধবি ভাগি চাই) হয় সখি হয়, ভ্রম মোব, ভ্রম মোব, মোব প্রাণ নাই আক, নাই। সিইতে কাড়ি নিলে, সিইতে কাড়ি নিলে, মোব হৃদয়ব দেবতাক সিইতে কাড়ি নিলে!

(নিজব মুব হাতেবে টেপা মাবি ধবি কান্দে)

১ম সখি—সখি, এইদৰে আক কান্দি থাকিলে কি হব! যি গল সি আক কেতিয়াও ঘুবি নাহে। তোমাব অৱস্থা দেখি সুভদ্রা আদি সকলো মূর্চ্ছা গৈ পবি আছে। সখি উঠা,...উপায় নাই।

উত্তবা—(ধপকবে উঠি বলিয়ানীব দবে আউলী বাউলী হৈ) সখি আনা, ধনু, কাঁড়, বথ আনা। বেগতে আনা। মই ক্ষত্রিয়ব জীয়াবী, মোব স্বামীক সাতোটী বীবে বেবি বধ কবে। মই সিইতক বধ কবিম। (অলপ ভাবি) সিইতব তিবোতাবোবব কি অৱস্থা হব। নহয় থাওক। সিইতক বধ কবিলে সিইতব তিবোতাবোবলো মোব অৱস্থা হব। তাহাঁতে মোব একো দোষ কবা নাই। নাথ! তুমি মোক লগতে লৈ যোৱা, লৈ যোৱা নাথ! লৈ যোৱা। (যাব খোজে, সখিয়ে ধবে) নহয় সিইতক ক্ষমা কবিব নোবাবি, যদি পাণ্ডবব কোনো বীবে সিইতক বধ কবিব নোবাবে, মই বধ কবিম। বণচণ্ডীব বেশেবে যুদ্ধক্ষেত্রত প্রবেশ কবিম। মোব চকুব জুইবে সিইতক পুবি মাবিম। বলা, সখি বলা,—(যাব খোজে সখিয়েকে ধবে) নাথ!···নাথ!.....স্বামী! (মূর্চ্ছা)

৫ম দৃশ্য—কুৰুক্ষেত্রব একাংশ

(দ্রোণ আক জয়দ্রথ)

জয়দ্রথ—আজি আক বক্ষা পোহাব উপায় নাই গুৰুদেৱ! অর্জুনে কালি গধূলি শ্রীকৃষ্ণক সাক্ষী কবি প্রতিজ্ঞা কবিছে। আজি সন্ধ্যাব আগতে মোক বধ কবিব নোবাবিলে তেওঁ নিজেই অগ্নিত প্রবেশ কবিব।

দ্রোণ—ভয় নাই জয়দ্রথ! আজি তোমাক গোটেই কুৰুসৈন্যই বক্ষা কবি থাকিব, অর্জুনে তোমাব ওচব পাবলৈয়ে নোবাবে। মই সকলোকে সাবধান কবি দিছোঁ।

জয়দ্রথ—তথাপি গুৰুদেৱ, যাব সাবথি স্বয়ং নাবায়ণ তাব প্রতিজ্ঞা ধলিয়ই পেলাব নোবাবি।

দ্রোণ—ভয় নাই জয়দ্রথ! তুমিও ক্ষত্রিয়ব সন্তান।

জয়দ্রথ—ভয় কবা নাই গুৰুদেৱ! এই প্রাণ আজি বা কালি এদিন যাবই, তথাপি এই ছলতে অর্জুনে নিজে নিজে অগ্নিত প্রবেশ কবিলে কৌবৱব জয় নিশ্চিত।

দ্রোণ—সেই কথা মনো স্বীকাব কবো; কিন্তু...বাক তুমি আগবাঢ়া, কুৰুসৈন্যব একেবাবে শেষত লুকাই থাকাগৈ। [জয়দ্রথব প্রস্থান।

কিন্তু কৃষ্ণই অর্জুনক অগ্নিত প্রবেশ কবিবলৈ এবি নিদিয়ে।

(দুর্য্যোধন আক কুৰু-সৈন্যব প্রবেশ)

দুর্য্যোধন—এই যে গুৰুদেৱ অকলে ইয়াত আছে।

দ্রোণ—আজি যুদ্ধ সাংঘাতিক, পাণ্ডব সৈন্যব যুদ্ধ দেখি অর্জুনব ভয়ত জয়দ্রথ মোব ওচব পাইছেহি। মই তেওঁক দেখা দিবলৈ বাধা দিছো।

দুর্য্যো—গুৰুদেৱ! সঁচাকৈয়ে আজি পাণ্ডব পক্ষই মবো-জীওঁ-সো-আদিকে লাগিছে। (সৈন্যক সম্বোধন কবি) সৈন্যসকল! প্রাণব মায়া এবি যুদ্ধ কবা। মনত বাখিবা, মবিলে স্বর্গলাভ, জিনিলে আজীবন যশ লাভ, দুয়ো ফালেই লাভ। কিন্তু পলাই গলে নমবিও মবাব তুল্য, অপযশত গোটেই পৃথিবীয়ে নাক কোঁচাব। মোবা বীবসকল, আক বেছি সময় নাই, এই বেলাটো মাত্র জয়দ্রথক বক্ষা কবিব পাবিলে আজি এনেয়ে জয়ী হম। [দ্রোণব প্রস্থান।

সৈন্যসকল—জয় কুৰুপতিব জয়। জয় কুৰু সেনাপতিব জয়। [প্রস্থান।

(গদা ঘুবাই ঘুবাই মহাবিক্রমেবে ভীমব প্রবেশ। দুর্য্যোধনে ভীমক খেদি যাব খুজিও ঘুবি আহি ভীমব লগত গদাযুদ্ধ কবে। যুদ্ধ কবি ঢেবোবো প্রস্থান। ভীম ঘুবি আহে)

ভীম—(স্বগতঃ) কতবাব এই দুর্য্যোধন মোব ওচবত পবাজিত হৈছে। তথাপি সৈন্যদল ভেঙ্গ কবি এতিয়াও জয়দ্রথক লগ পোবা নাই। আজি শত কৌবৱ ধ্বংস হব। এতিয়াও আধা-আদি বাকী। অভিমন্যুব লগতে আজি অর্জুনকো হেবওায় হবলা। তাতেও ভয় কবা নাই, ক্ষত্রিয়ব সন্তান প্রতিজ্ঞা বক্ষা কবিব। [প্রস্থান।

(পাণ্ডব সৈন্য এজাকে কুৰুসৈন্য এজাকক যুদ্ধ কবি কবি খেদি নিয়ে। অগাপিছাকৈ দুয়োদলব প্রস্থান)

(ভীমব প্রবেশ)

ভীম—ভীমব আজি হোপাহ পলাইছে। জয়দ্রথক বাখিবলৈ গৈ দুর্য্যোধনব নব্বৈটা ভায়েকক এই গদাব আঘা প্রাণ এবিছে। বাকী আছে দহোটা, আজি নিস্তাব নাই।

(খণ্ডে বেজাবে দুর্য্যোধনব প্রবেশ)

দুর্য্যো—মোব নব্বৈটা ভাইক বধ ক পলাই সাবিবলৈ আছিছ বুকোদ তোব বক্ষা নাই।

ভীম—ময়ো বাট বাকী দহোটাক ভালেই হল।

(দুয়োবে য

ভীম—(স্বগতঃ) বা, এতিয়াই তোক মৰণৰ সুখ নিদিওঁ। চাই ল নিজচকুৰে, কেনেকৈ তোৰ কুলাঙ্গাৰ ভ্রাতৃবোৰ অন্ত হয়।

(দুঃশাসনৰ প্ৰবেশ)

দুঃশাসন—সাৱধান বৃকোদৰ !

ভীম—কুটিল কৌৰৱৰ আগত পাণ্ডৱ জন্মাৱধি সাৱধান, তাকে লোৱাই অনুগ্ৰহ নকৰিলেও হব। তই নিজে সাৱধান হ দুঃশাসন।

(দুয়োৰে ভয়ঙ্কৰ গদাযুদ্ধ, দুঃশাসন হাৰি পলাই যায়)

ভীম—ৱ'তে আছে বাকী আঁঠোটা কৌৰৱ তাতে বিচাৰি বধ নকৰিলে মোৰ আজি হেঁপাহ নপলায়। দুঃশাসন তই যা, তোৰ আৰু বেছি দিন নাই। (ভীমৰ কাল মূৰ্ত্তি ধৰি প্ৰস্থান। বিপৰীত ফালৰ পৰা ভীষণ মূৰ্ত্তি ধৰি ঘটোৎকচৰ আৰু অলম্বুষৰ গদাযুদ্ধ কৰি প্ৰবেশ)

ঘটোৎকচ—অলম্বুষ ! সাৱধান ; মই কামৰূপী। তোতকৈ মই মায়া বেছি জানো। তই জানিছেই থ মোৰ হাতত তোৰ মৃত্যু হৈছে। বেছি নালাগে এই গদাৰ একোৰ ঘাপোন, বুজিছ ? দুঃশাসন, কৰ্ণ আৰু কত বীৰ হাৰি হাৰি পলাইছে। আকো তই আহিছ মোক মাৰিবলৈ, হাঃ হাঃ হাঃ ! গিলিয়েই থম নে কি অ তোক ?

অলম্বুষ—কোনে কাক গিলিব পাৰে আহোঁন চাওঁ। বাক আগবঢ়ি তোৰ বলটোকে দেখুৱাচোন। তই ভাবিছ, মই ভীমৰ পুত্ৰ, মোৰ সমান কোনো নাই। মৰো কম হওঁ, জানি থবি। (দুয়ো গদাযুদ্ধ কৰে)

টোৎকচ—(গদা পেলাই) অলম্বুষ ! গদা পেলা, াতে হাতে লাগো, আহ।

গদা পেলাই বাহুযুদ্ধ কৰি বগৰা-বগৰি কৰে

একোটা বিকট চিঞৰ শোধায়। অলপ

লম্বুষক তল পেলাই বুকুৰ ওপৰত

িঞৰি উঠি আহি গদা লয়)

) মই মৰিলো

ীবি অ' ?

প্ৰস্থান।

(সন্ধ্যাৰ সময়—কৃষ্ণাৰ্জ্জুনৰ প্ৰবেশ)

কৃষ্ণ—সখি ! ঘোৰা কেইটাক বথৰ পৰা একৰাই পানী খাবলৈ দিওঁতেই দেখোন সন্ধ্যাৰ ওচৰ চাপিল।

অৰ্জ্জুন—তেন্তে সখি মোৰো সময় পালেহি ! মোৰ প্ৰতিজ্ঞা পালন কৰিমেই।

কৃষ্ণ—কি কৰিবা সখি ! ইমান বেগাবেগিকৈ বধ চলাই মৰো-জীওঁকে যুদ্ধ কৰিও কৌৰৱ সৈন্য ভেদ কৰিব পৰা নহল ! আজি বিধি আমাৰ প্ৰতি বাম। জয়দ্ৰথক দেখাকে পোৱা নহল।

অৰ্জ্জুন—তেন্তে মোৰ প্ৰতিজ্ঞা ৰক্ষা হ'ক সখি !

কৃষ্ণ—নিশ্চয়, ক্ষত্ৰিয়ই প্ৰতিজ্ঞা ৰক্ষা কৰিবই লাগিব। (সন্ধ্যাৰ আন্ধাৰ হল—জয়দ্ৰথ, দুৰ্য্যোধন, দুঃশাসনৰ প্ৰবেশ)

জয়দ্ৰথ—কি অৰ্জ্জুন ! সন্ধ্যা হৈ গ'ল। তোমাৰ প্ৰতিজ্ঞা ৰক্ষা কৰি অগ্নিকুণ্ডত জীৱন বিসৰ্জ্জন দিয়া। ক্ষত্ৰিয়ই প্ৰতিজ্ঞা ৰক্ষা নকৰিলে অনন্ত কাল নৰক ভোগ কৰিব লাগিব।

দুৰ্য্যো—অৰ্জ্জুন !' অহঙ্কাৰ কৰি প্ৰতিজ্ঞা কৰিছিলা। এতিয়া তাক ৰক্ষা নকৰি কি ভাবিছা ?

অৰ্জ্জুন—কুৰুপতি ! প্ৰতিজ্ঞা ৰক্ষা কৰিম। জয়দ্ৰথ, ডৰ নাই, মোৰ প্ৰতিজ্ঞা মই ৰক্ষা কৰিম। কিন্তু তুমিও সাৱধান। সখি ! অগ্নিকুণ্ড প্ৰস্তুত কৰাগৈ।

কৃষ্ণ—অগ্নিকুণ্ড প্ৰস্তুত কৰিবই লাগিব। কি কৰিবা ভাগ্যৰ লিখন। তুমি বন্ধু-বান্ধৱৰ পৰা শেষ বিদায় লৈ আহাঁ। মই কুণ্ড প্ৰস্তুত কৰোগৈ।

(কৃষ্ণৰ প্ৰস্থান, দীপ্তিত অগ্নিকুণ্ড জ্বলায়।

বাহিৰলৈ পোহৰ আহে)

জয়দ্ৰথ—অৰ্জ্জুন ! তুমি মোৰ নিমিত্তে চিন্তা নকৰি নিজে চৰম পৰীক্ষাৰ নিমিত্তে সাজু হোৱা। যুদ্ধিৰ আদিলৈ বাট নাচাবা, বেয়া হব।

অৰ্জ্জুন—জয়দ্ৰথ ! বাৰে বাৰে অনুৰোধ কৰিবৰ আৱশ্যক নাই। মোৰ প্ৰতিজ্ঞা ৰক্ষা কৰিম, কিন্তু তুমিও শিশুহত্যাৰ প্ৰায়শ্চিত্ত হবলৈ সাজু হোৱা।

নেপথ্যত কৃষ্ণ—সখি ! অগ্নিকুণ্ড প্ৰস্তুত।

অৰ্জ্জুন—তেন্তে কুৰুপতি বিদায়। আজিৰ পৰা পাৰ্থ



'চকিত হৰিণা পড়'

[শুকিয়ত পকৰা ছবি—প্ৰতিযোগিতা প্ৰদৰ্শনীত প্ৰদৰ্শিত]

শ্ৰীকৃষ্ণবিকাশ গোস্বামী

কাৰণে বিশেষ চিন্তাৰ সকাম নাই। বাকী পাণ্ডুৰক বধ কৰি সোনকালে ৰাজ্য ভোগ কৰাই শ্রেয়ঃ। (শৰ ধনু পেলাই যাব খোজে)

দুর্য্যো—বেছি পলম কৰিলে মায়া মোহে বেৰি ধৰিব। কুণ্ডত জাপ দিয়া, বীৰধর্ম্ম পালন কৰি পৃথিবীত কুৰু-বংশৰ বিমল যশ ঘৈ যোৱা।

নেপথ্যত কৃষ্ণ—ধনুশৰ নেৰিবা পার্থ! তুমি বীৰ—হাতত ধনুশৰ লৈ অগ্নিত প্রবেশ কৰা।

(অর্জ্জুনে হাতত ধনুশৰ লৈ কুণ্ডত ফালে যাব খোজে)

অর্জ্জুন—কুৰুপতি! ভয় নাই, মই কুণ্ডত জাপ দিমেই, তুমি জয়দ্রথক লৈ ঘৰলৈ যোৱা।

(এনেতে হঠাৎ পোহৰ হয়—শ্রীকৃষ্ণৰ প্রবেশ)

শ্রীকৃষ্ণ—প্রতিজ্ঞা ৰক্ষা কৰা অর্জ্জুন! জয়দ্রথক বধ কৰা।

(সকলো আচৰিত হয়, অর্জ্জুনে শৰ মাৰি জয়দ্রথক বধ কৰে)

দুর্য্যোধন—ই কি আচৰিত! মোৰ অন্যায়!

(কুৰুবীৰবিলাকৰ ভয়ত প্রস্থান। অর্জ্জুনে শৰ মাৰি থাকে, গদা ঘুৰাই ভীমৰ প্রবেশ)

ভীম—অন্যায় নাই। সকলো ন্যায়। শিশুহত্যা ন্যায়, কপট পাশা ন্যায়, জতুগৃহ দাহ ন্যায়, দ্রৌপদীৰ বস্ত্রহৰণ ইত্যাদি সকলো ন্যায়। অন্যায় বোলা একো নাই। যদুপতি! দুর্য্যোধন আৰু দুঃশাসনৰ বাহিৰে আজি শত কৌৰৱৰ শেষ।

শ্রীকৃষ্ণ—তোমাৰ বীৰত্বৰ বর্ণনা নাই দাদা বৃকোদৰ!

ভীম—তোমাৰ মায়াৰ অন্ত নাই যদুপতি! তুমি নহলে আজি অর্জ্জুনৰ ৰক্ষা নাই।

৬ষ্ঠ দৃশ্য

হস্তিনাৰ কাৰেং—ধৃতৰাষ্ট্ৰ আৰু সঞ্জয়

ধৃতৰাষ্ট্ৰ—কি কলি সঞ্জয়! ভীমৰ গদাৰ প্রহাৰত মোৰ শতপুত্ৰ ধ্বংস হৈছে। সেই কাৰণেই অন্তঃপুৰত ইমান কান্দোনৰ ধ্বনি উঠিছে। জয়দ্রথক অর্জ্জুনে বধ কৰিছে। মোৰ নাতিপুতিসকলোকে সিহঁতে অস্ত্ৰ কৰিছে। অসম্ভৱ সঞ্জয়! অসম্ভৱ! শত কৌৰৱৰ পাচ পাণ্ডৱে ধ্বংস কৰা সম্ভৱ নহয়। পিতামহ মাত্ৰ শৰশয্যাত। দ্রোণ, কর্ণ, অশ্বত্থামা, কৃপ, শল্য আদি বীৰসকল জীবিত থাকোতে পাণ্ডৱে মোৰ বংশ ধ্বংস কৰিব পাৰে নে?—আঃ, সঞ্জয়! মোক কৰবালৈ লৈ যা, মোৰ বুকু ভাগি গৈছে। সঞ্জয়, অন্তঃপুৰত তিৰোতাবিলাকে কিয় ইমানকৈ কান্দিছে? তাহাতক কান্দিবলৈ হাক দে। (অলপ ভাবি) নহয় নিদিবি হাক, কান্দক, কান্দিলে হিয়াৰ শোক অনেক পৰিমাণে কমিব, মোকো উপায় দে সঞ্জয়, তোক কাৰৌকৈ মাতিছো। উঃ, মোৰ হিয়া ভাগি গল, সঞ্জয়! সঞ্জয়! মোক ধৰ, মোক লৈ যা! গান্ধাৰী! বিদুৰ! (মূৰ্চ্ছা ,সঞ্জয়ে ধৰে, গান্ধাৰীৰ কান্দি কান্দি প্রবেশ)

গান্ধাৰী—(কান্দি) এতিয়া অধীৰ হলে কি হব, য'তে ধর্ম্ম ত'তে জয়। অন্যায় কৰিলে তাৰ ফল ভোগ কৰিবই লাগিব নাথ! ইমানকৈ কোৱাতো সিহঁতে শুনিলে, বোপাইহতক যত্নে টানি নিলে।

ধৃতৰাষ্ট্ৰ—গান্ধাৰী! মোক লৈ যোৱা, ক'ৰবালৈ লৈ যোৱা। মই—মই আৰ শুনিব নোৱাৰো। সিহঁতৰ কান্দোন শুনিব নোৱাৰো। (গান্ধাৰীয়ে তলমুৱকৈ এফালীয়া হৈ কান্দে)

সঞ্জয়—মহাৰাজ! অধীৰ নহব। দুর্য্যোধন আৰু দুঃশাসন এতিয়াও জীবিত।

(বিদুৰৰ প্রবেশ)

ধৃতৰাষ্ট্ৰ—মই জানিছো সেই কথা সঞ্জয়! এশটাৰ মাত্ৰ দুটা বাকী, পৌত্ৰও শেষ। আঃ বৰ সান্ত্বনাৰ কথা। দুর্য্যোধন আৰু দুঃশাসন বাকী, সিহঁতেই বা থাকিব আৰ কিমান দিন? সঞ্জয়! বিদুৰ কলৈ গল?

সঞ্জয়—এয়া বিদুৰ ওচৰতে থিয় হৈ আছে।

ধৃতৰাষ্ট্ৰ—(খেপিয়ায়, বিদুৰ ওচৰলৈ আহিলত ধৃতৰাষ্ট্ৰই হাতত ধৰি অতি কাতৰভাৱে) বিদুৰ! বিদুৰ! মোক ক্ষমা কৰা, বিদুৰ! মই তোমাক কাৰৌকৈ মাতিছো। সিহঁতক ঘুৰাই আনা।

বিদুৰ—ক'ৰণবা, মহাৰাজ!

ধৃতৰাষ্ট্ৰ—(বিৰক্তভাৱে ডাঙৰকৈ কান্দোনৰ সুৰে) যমৰ দুৱাৰ মুখৰ পৰা, বিদুৰ! যমৰ দুৱাৰ মুখৰ পৰা।

বিদুর—অসম্ভব মহারাজ। সিইত আক ঘুবি নাহে।

ধৃতরাষ্ট্র—দুর্য্যোধন, দুঃশাসন ঘুবি নাহে?

বিদুর—নাহে (ধৃতরাষ্ট্রব হাত এবে) সচাকৈয়ে মৃত্যু হোরা কেইটাক আনিব পাবিলেও জীয়াই থকা কেইটাক আনিব নোরাবি।

ধৃতরাষ্ট্র—তেন্তে গান্ধাবী মই যাওঁ।

গান্ধাবী—কলৈ? (চকুব পানী টোকে)

ধৃতরাষ্ট্র—(বলিয়াব দবে) লগে ভাগে যদব ঘবলৈ গান্ধাবী! যদব ঘবলৈ। (বিবক্ত হৈ) আঃ গান্ধাবী! সিইতক কান্দিবলৈ কেলৈ দিছা? সিইতে কিয় কান্দিব?

গান্ধাবী—কিয় কান্দিছে নাথ! (উচুপি) পতি পুত্র হেবুবাই অনাথিনী হৈ কান্দিছে। পঞ্চপতি বিদ্যমান দ্রৌপদীক অনাথিনীব দবে কন্দুবাব প্রতিফল। ভয়ঙ্কব,—ভয়ঙ্কব, ভয়ঙ্কব প্রলয় কাহিনী নাথ! সতীব চকুব এটোপা পানীবে পৃথিবী উটি গৈছে। জুই হৈ ব্রহ্মাণ্ডও ছাবখাব কবিছে। নাথ! আক একো নাই। সিইতে কান্দিব, আক পৃথিবীত কতই কান্দিব। বজাই যেতিয়া নাবী পীড়ন কবিব, তাব ফল কান্দোনব ধ্বনি উঠিবই।

ধৃতরাষ্ট্র—এঃ কি কোৱা! সতীব পীড়ন; নাবী নির্য্যাতন; অসম্ভব কথা, মই নাই কবা। দ্রৌপদীক মই একো পীড়ন কবা নাই। আঃ, হয় কবিছিলো, মই বহি থাকোঁতে কুৰুসভাত সতীব বস্ত্রহবণ। অসহ্য! সেই বুলিয়েই মোব পুত্রবোবক সিইতে বধ কবিব নে? তাহিতক কান্দিবলৈ নিদিবা সঞ্জয়? বধ সঞ্জা, বধ সজা, বহু শব গলা আন। মই যুদ্ধ কবিম, মই দুর্য্যোধন দুঃশাসনক সহায় কবিম। পাণ্ডবক বধ কবিম। বিদুব! সঞ্জয়! গান্ধাবী। কি চাই আছা?

গান্ধাবী—আপুনি থিব হক, ধৈর্য্য ধবক।

ধৃতরাষ্ট্র—আঃ গান্ধাবী! মই .বলিয়া হৈছোঁ নেকি? কি কবিবা মই—মই বলিয়া হৈছো। মোক ক্ষমা কবা। বিদুব! মই কলৈ যাওঁ? মই কেনেকৈ সহি থাকোঁ? পুত্রস্নেহ বব দাৰুণ, বিদুব!

বিদুব—সেই স্নেহব অতিমাত্রাতেই আজি এই গতি, মহাবাজ! দুর্য্যোধন উপজিবব দিনাই মই তাক ত্যাগ কবিবলৈ কৈছিলো, আপুনি শুণুনিলে। দুর্য্যোধনব অন্যায় কামত মই বাধা দিলেও আপুনি প্রশ্রয় দিয়ে। এতিয়া আক কি উপায় আছে! আর্জ্জিলে ভুজিবই লাগিব। ই প্রকৃতিব নিয়ম। কৌবব বংশ ধ্বংস কবিবলৈকে দুর্য্যোধনব অবতাব।

ধৃতরাষ্ট্র—গান্ধাবী! সঞ্জয়! কোন আছা মোক লৈ যোৱা। বিদুব! আক নথবা। যথেষ্ট হৈছে। দিক কর্ম্মফল! পুবি মাবিছে। উস্! মোক পুবি মাবিছে। তিল তিলকৈ মাবিছে। কান্দোন শুণুনা ঠাইলৈ লৈ যোৱা।

(সঞ্জয় আক গান্ধাবীয়ে ধবি ধবি লৈ যায়। বিদুব পাছে পাছে যায়)

৭ম দৃশ্য—কুৰুক্ষেত্র

(কৃষ্ণ আক যুধিষ্ঠিবব প্রবেশ)

শ্রীকৃষ্ণ—দাদা! ইযান এটা আবশ্যকত এযাব কথা কৈ নগলে, যুদ্ধ জয় কবা অসম্ভব। বুকোদবে কৈ গৈছে, অশ্বত্থামাক বধ কবিলো বুলি। দ্রোণে বিশ্বাস নকবে।

যুধিষ্ঠিব—যুদ্ধত জয় নহয়, কি কবিম। সেই বুলি মিছা কোবা টান যদুপতি!

শ্রীকৃষ্ণ—মিছা কবলৈ কোৱা নাই। দ্রোণ ঘুবি ফুবিছে তোমাক সুধিবলৈ, ভীমব হাতত অশ্বত্থামাব মৃত্যু হৈছে নে নাই হোৱা। আনব কথাত প্রত্যয় নাযায়, তুমি কলেই বিশ্বাস কবিব। ভীমব হাতত অশ্বত্থামা হাতীব পতন হৈছে, একেবাবে সচা কথা। তাক কবলৈ কিহব ভয়। মাত্র হাতী বুলি নকৈ অশ্বত্থামাক বধ কবিছে বুলি কব লাগে। সেইটো মিছা কথা নহয়।

যুধিষ্ঠিব—যদুপতি! আক আন উপায় নাই নে?

শ্রীকৃষ্ণ—নাই। অশ্বত্থামাক বধ কবিছে বুলি কবই লাগিব।

যুধিষ্ঠিব—তেন্তে কম, কিন্তু—

শ্রীকৃষ্ণ—কিন্তু আক নাই।

যুধিষ্ঠিব—গজ বুলি লগতে কলেও হানি হব নে?

শ্রীকৃষ্ণ—শুণুনাকৈ কলে একো কথা নাই। কিন্তু গজক বধ কবিছে বুলি কোবাই নোকোবাই একে।

যুধিষ্ঠিব—বাৰু, কিন্তু—

শ্রীকৃষ্ণ—কিন্তু নাই। সোবা দ্রোণে তোমাক বিচাবি ফুবিছে। কথাষাব কলেই সকলো শেষ হব। যোৱা।

[কৃষ্ণব প্রস্থান।

যুধিষ্ঠিব—ভীষণ সমস্যা।

[ভাবি ভাবি বিপবীত ফালে প্রস্থান।

(দৃষ্টদ্যুম্নব প্রবেশ)

দৃষ্টদ্যুম্ন—(স্বগতঃ) আজিব যুদ্ধত মোব জন্ম সার্থক কবিব লাগিব। পিতা দ্রোপদে মোক আক দ্রৌপদীক যজ্ঞ পবা উৎপন্ন কবাইছিল দ্রোণ বধব নিমিত্তে। পিতাব উদ্দেশ্য সফল কবিবলৈ হলে আজি দ্রোণক বধ কবিবই লাগিব। (অলপ ভাবি) পিতা আজি স্বর্গত। প্রাগ্‌জ্যোতিষপতি নবকনন্দন ভগদত্তই মোব পিতাক বধ কবিছে। মই সেই প্রতিশোধ লবলৈ নৌ পাণ্ডতেই অর্জ্জুনে ভগদত্তক বধ কবিলে। ক্রমে ক্রমে কুৰুক্ষেত্রত বীবসকলব অন্ত হৈছে। হিড়িম্বেশ্বব ঘটোৎকচে অলম্বুষক বধ কবিলে। কর্ণই পুত্রবধব প্রতিশোধ লবলৈ গৈ পার্থবধব কাবণে সাঁচি থোৱা একাগ্নি অস্ত্রেবে ঘটোৎকচক বধ কবিছে। দ্রোণবধ নৌ হওঁতেই এই পাঁচ দিনতে অনেক বীবব মৃত্যু হৈছে। (অলপ ভাবি) পিতা! তোমাব মৃত্যুত খেদ নাই। বীবধর্ম্ম পালন কবোতে সম্মুখ সংগ্রামত তোমাব মৃত্যু হৈছে। স্বর্গব পবা এই অধম পুত্রক আশীর্ব্বাদ কবা যেন দ্রোণক বধ কবি তোমাব আত্মাব সন্তোষ বিধান কবিব পাবো।

[ভীমব প্রবেশ]

ভীম—দাদাই অশ্বত্থামা হত বোলোতেই "ইতি গজ" বুলিছিল কিন্তু গুকদেহে শুণুনিলে। এওঁক ঔতবাব পাবিলে বীবব ভিতবত বাকী থাকিব কর্ণ, দুর্য্যোধন; দুঃশাসনব লেখকে নথবো। গুকপুত্র অমব হৈয়ো অকলে একো কবিব নোৱাবে। কি ভাবিছা দৃষ্টদ্যুম্ন? বলা যুদ্ধব সাযবণী পবেহে লাগে।

দৃষ্টদ্যুম্ন—তাকেই ভাবিছো বুকোদব! [দুয়োবো প্রস্থান

(কৃষ্ণব প্রবেশ)

শ্রীকৃষ্ণ—(স্বগতঃ) অর্জ্জুনে নিবস্ত্র গুকক কেতিয়াও বধ নকবে। অস্ত্রে-শস্ত্রে সজ্জিত দ্রোণক বধ কবিবব ক্ষমতা নাই। ধর্ম্মবাজে যেনিবা কথমপি কথাষাব কলে। এইলৈ এটা উপায় কবা যাওক। সোবা দ্রোণে বুকত জোব পেলাই পুত্রশোকত মুবে-কপালে হাত দি বহি আছে। জোবালে যেনিবা এটা সাপহে। অমব পুত্রব শোকত দ্রোণে শোক কবিবব কথাই। যেই হ'ক বুদ্ধিব ফল ধবিছে।

(অর্জ্জুনব প্রবেশ)

অর্জ্জুন—সখি! বধব পবা নামি আহি অতবেলি কি কবিছা? মোব বহি আমনি লাগিল। বধব সময় নাই, পাণ্ডব-সৈন্যবিলাকক কৌবব সৈন্যবিলাকে দলি আনিছে। দাদা বুকোদব দুর্য্যোধনব লগত যুদ্ধত ব্যস্ত। গুকদেব যেনিবা পুত্রশোকত যুদ্ধ এবি বধতে বহি আছে।

শ্রীকৃষ্ণ—সখি! আজি বব কর্ত্তব্যপবায়ণ। হেজাব হ'ক শত্রু হলেও তোমাব গুৰু; চোবাচোন সোবা গুৰুক সর্পে দংশন কবিব খুজিছে। চোবাচোন বুকুত সাপটো বগাইছে। মাবা, মাবা শব মাবি সাপটো বেগতে কাটি পেলোৱা। (অর্জ্জুনব ব্যগ্রভাবে অস্ত্র ক্ষেপণ, অলপ পব চাই থাকে)

অর্জ্জুন—সখি! গুৰু দেখোন বণত মুর্চ্ছিত হল।

নেপথ্যত কুৰুসৈন্য—সেনাপতিক বক্ষা কবা। সেনাপতিক বক্ষা কবা। (কোলাহল)

শ্রীকৃষ্ণ—আহা, সেইবোব একো নহয়। বথত উঠি লোবাহি। (অর্জ্জুনক হাতত ধবি লৈ যায়)

(নেপথ্যত কোলাহল)—গুৰুক বধ কবিলে। আচবিত, অসম্ভব!

(অলপব পিছত দ্রোণব কটা মুব, তেজেবে বাঙ্গলী তবোৱাল লৈ দৃষ্টদ্যুম্নব প্রবেশ)

দৃষ্টদ্যুম্ন—প্রতিজ্ঞা পূর্ণ হল। হাঃ হাঃ হাঃ। প্রতিজ্ঞা পূর্ণ হল। পিতা! তোমাব উদ্দেশ্য সিদ্ধি হৈছে। তোমাব পুত্রই তোমাব শত্রু অজেয় বীব দ্রোণব মুব কাটি হাতত লৈছে। আজি বব আনন্দ—বব তৃপ্তি। [প্রস্থান

নেপথ্যত বহুতে—ধব, ধব, কেনি গল। সেনাপতিব মুব কাটি নিছে। নেবিবি, সেই ফালে, অশ্বত্থামা! সেই ফালে।

(একাক কুকসেনাই ধৃষ্টদ্যুম্নক খেদি যায়, দুঃশাসনব গদা ঘুবাই লগে লগে প্রবেশ আক প্রস্থান। অশ্বত্থামাব উত্তেজিত হৈ হাতত অস্ত্র লৈ প্রবেশ)

অশ্বত্থামা—কি, অশ্বত্থামাব বর্ত্তমানত অশ্বত্থামাব পিতৃবধ! ধৃষ্টদ্যুম্নই মোব পিতৃক বধ কবে! কলৈ পলাবি ধৃষ্টদ্যুম্ন? পিতা! পিতা!

(দুর্য্যোধন আক কর্ণব প্রবেশ)

দুর্য্যোধন—কি হব! গুবৰে আমাক বিপদ-সাগবত পেলাই নিজে স্বর্গলৈ গুচি গল।

কর্ণ—নহয় সখি! ইয়াব প্রতিশোধ লব লাগে। বেজাবব সময় নাই।

অশ্বত্থামা—শুনক মহাবাজ! ধৃষ্টদ্যুম্নক বধ নকবোমানে মোব শান্তি নাই, মই ধৃষ্টদ্যুম্নক বধ কবিবলৈ প্রতিজ্ঞা কবিলো। এই প্রতিজ্ঞা বক্ষা নহলে মোব গাত গোবব, ব্রহ্মবধ আক স্ত্রীবধ পাপ লাগিব, সকলো ধর্ম্ম নষ্ট হব।

৫র্থ অঙ্ক

১ম দৃশ্য

(যুধিষ্ঠিব শুই আছে, অলপ পিছতে কৃষ্ণার্জ্জুনব প্রবেশ)

শ্রীকৃষ্ণ—কর্ণ সেনাপতি হৈছেই, ধর্ম্মবাজক পবাজয় কবি ডিষ্ঠিত দম্ভব জোব দি বন্দী কবে। তুমি এই সংবাদ জনা নাই হবলা?

অর্জ্জুন—মই অলপ জানো, কিন্তু দাদাক ইমান অপমান কবাব কথা গম পোবা নাই, কিন্তু এইদবে হাতত পাই দাদাক এবি দিয়াটো চাই বিশাস নহয়।

শ্রীকৃষ্ণ—বিশাস নকবিবব কোনো কাবণ নাই। দাদাই সেই অপমানত মবণান্তিক হৈ যুদ্ধক্ষেত্র ত্যাগ কবি শুই আছেহি। কর্ণই প্রতিজ্ঞা কবি থৈছে, মে তোমাব বাহিবে পাণ্ডবব কাবো অপকাব নকবে।

অর্জ্জুন—ইয়াব কাবণ কি?

শ্রীকৃষ্ণ—কাবণব আবশ্যক নকবে, পিছত জানিবা। এতিয়া দাদাক মাতা। (অর্জ্জুনে মাতিবলৈ ধবে, স্বগতঃ) আজি গতি বিষম। ধর্ম্মবাজে কর্ণব হাতত অপমান পাই আহিছে। দোষ লাগিব অর্জ্জুনব গাত। ইয়াব উপায়!

অর্জ্জুন—(যুধিষ্ঠিবব ভবিব ফালব পবা) দাদা! দাদা!

যুধিষ্ঠিব—(সোব পাই) কোন, অর্জ্জুন! যুদ্ধব সংবাদ কি অর্জ্জুন? কর্ণ বধ কবি আজি তুমি মোব সকলো চিন্তা দুব কবিলা। তোমাক কি পুবস্কাব দিম? দেবাসুবজয়ী কর্ণ, যাক মহামানী দুর্য্যোধনে সভাব মাজত সম্মান কবি সখি সম্বোধন কবে, যাক পবশুবামে নিজ হাতে ধনু পুবস্কাব দিলে—যাব কবচ কুণ্ডল অভেদ্য—যাব ভয়ত আজি তেব বছব চিন্তিত আছো, পৃথিবীব সেই অদ্বিতীয় বীব কর্ণক বধ কবি যাবৎ-চন্দ্র-দিবাকব সুখ্যাতি বাখিলা। ভাই! তোমাব বধত্বত আজি পঞ্চ পাণ্ডব ধন্য হলা। কোহা ভাই অর্জ্জুন! সেই মহাবীব কর্ণক কেনেকৈ বধ কবিলা? বহুপতি! কি উপায়েদি অর্জ্জুনব হতুবাই অসাধ্য সাধন কবালা?

(শ্রীকৃষ্ণ অলপ চিন্তান্বিত হৈ তলমুখ কবি মুখত আঙুলী দি ভবিবে মঙ্গল চায়। অর্জ্জুনে ভয়ত কোঁচ খাই এখোজ আতবি মুখ ফেবায়)

অর্জ্জুন—দাদা!.....(নিমাত)

যুধিষ্ঠিব—কোবা অর্জ্জুন! কোবা! সঁচা প্রশংসাব লাজ কিহব!

অর্জ্জুন—দাদা! আজি মই সংসপ্তকব লগত যুদ্ধত লিপ্ত আছিলো। তাব পিছত শুকসুজই আগ ভেট ধবি যুদ্ধ কবিলে। কর্ণক বিচাবি চুবোতেই দাদা বৃকোদবব পবা আপোনাব পবাজয়ব বার্ত্তা শুনি এই ফালেই আহিলো। আপুনি যুদ্ধক্ষেত্র পবিত্যাগ কবাত সৈন্য, সেনাপতি সকলো হতাশ।

যুধিষ্ঠিব—(উঠি) কি, কর্ণ বধ এতিয়াও হোবা নাই? নিলাজ অর্জ্জুন! ভীমক অকলে যুদ্ধক্ষেত্রত এবি তোব পলাবলৈ লাজ লগা নাইনে? কর্ণলৈ তোব ইমান ভয়! তোব জন্মতে গোটেই পৃথিবী জিনিবি বুলি বৈৰাণী হৈছিল। এতিয়া দেখিছো তই দেবতাব কথাও মিছা কবিলি। তোব নিচিনা পুত্র জন্ম দি মাতৃ কুন্তীয়ে পুত্রবতী নাম লোবা নিতান্ত অন্যায় হৈছে। কুবেবে ধন, ইন্দ্রই শব, মহেশ্বরে ত্রৈলোক্য সংহাব কবিব পবা অস্ত্র আক গৰ্ব্বই পতিয়ে তোক মায়াবথ এনেয়ে দিলে। তোব বথত ভদ্রা মহাপবাক্রমী হনুমন্ত। সাবথি অনন্ত প্রতাপী শ্রীকৃষ্ণ।

তোব প্রত্যেক অস্ত্রে পবনব গতিশীল। হাতত ত্রিভুবন বিখ্যাত গাণ্ডিব ধনু। আক লগত অক্ষয় তূণ। ইমানতো কর্ণব ভয়ত পলাই আহিবলৈ লাজ লগা নাইনে? তই গাণ্ডীবব যোগ্য নহয়। কৃষ্ণক গাণ্ডীব দে। তেওঁ বথী হওক, তই সাবথি হ। অতদিন কৃষ্ণক বথী কবি তই সাবথি হোবা হলে গোটেই কুৰু সৈন্য ধ্বংস হল হেতেন।

অর্জ্জুন—(খণ্ডত অস্থিব হৈ) কি! মই গাণ্ডীবব যোগ্য নহওঁ। নিজে কর্ণব হাতত অপমানিত হৈ মোক গাণ্ডীব পেলাবলৈ কয়.....অসহ্য...(খাপব পবা তৎক্ষণাৎ উলিয়াই ধর্ম্মবাজক কাটিব খোজে, কৃষ্ণই হাতত ধবে)

শ্রীকৃষ্ণ—কি কবা অর্জ্জুন? তুমি তোমাব জ্যেষ্ঠক বধ কবিব খুজিছা। ছিঃ, ইমান অবোধব দবে কার্য্য কবা উচিত নহয়।

অর্জ্জুন—সখি! মোব প্রতিজ্ঞা আছে, যেয়ে মোক গাণ্ডীব এবিবলৈ কব, শুক হলেও মই তেওঁক বধ কবিম। ক্ষত্রিয়ব প্রতিজ্ঞা লঙ্ঘন কবিলে অনন্ত কাল নবকত স্থান। শুক বধ কবিলেও নবক ভোগ। শাস্ত্রব কথা তুমি মোতকৈ বেছি জানা।

শ্রীকৃষ্ণ—(হাঁহি) ইয়াব উপায় আছে পার্থ। ক্ষান্ত হোবা। শুক বধ কবিবব আবশ্যক নাই।

অর্জ্জুন—দোষ নাজানি যি অপমান কবে, তাব বধেই প্রায়শ্চিত্ত। তুমি বাখিবা সখি, নহলে শুক বধ নিশ্চয় হল হেঁতেন। নিজে কর্ণব ভয়ত পলাই আহি মোক অপমান কবা উচিত হোবা নাই। ধর্ম্মবাজব অধর্ম্ম শোভা নাপায়। অৰ্জুন প্রতাপী বৃকোদবেও যুদ্ধক্ষেত্রত প্রলয়ব অবতাবণা কবে। বিপক্ষব সহস্র সহস্র বথী, পদাতি, গজ-বাজী সংহাব কবে, সকলো অকলেই কবে। কাৰেকো আশা কবি নাথাকে। দাদা বৃকোদবে মোক বর্ব্বব বুলি কেতিয়াও অপমান নকবে। তুমি সভাব ভিতবত পাশাত হাবি সকলোকে কষ্টত পেলোবা। তোমাব নিমিত্তেই আমি চাবি ভাতৃয়ে বনত নানা কষ্ট ভোগ কবিলো। নাই, মোব পক্ষে আত্মহত্যাই শ্রেয়।

(নিজব ডিঙিলৈ তবোবাল দাঙ্গে, কৃষ্ণই ধবে)

শ্রীকৃষ্ণ—কি কবা অর্জ্জুন, তুমি অধৈর্য্য হৈছা কিয়?

অর্জ্জুন—বাধা নিদিবা সখি! শুকনিন্দা অধর্ম্ম, তাব পবাচিত আত্মহত্যা।

শ্রীকৃষ্ণ—(হাঁহি) তাবো উপায় আছে সখি। শাস্ত্রব মতে আত্মপ্রশংসা মৃত্যুব তুল্য। তুমি আত্মপ্রশংসা কবিলেই উদ্ধাব হবা।

অর্জ্জুন—নহয় সখি মোক আত্মহত্যা কবিবলৈ দিয়া।

শ্রীকৃষ্ণ—সাবধান অর্জ্জুন! কৃষ্ণব ই অনুবোধ নহয়, আদেশ। কুৰুক্ষেত্র যুদ্ধ এতিয়াও শেষ হোবা নাই। ইয়াক শেষ কবা তোমাব কর্ত্তব্য। তুমি আত্মপ্রশংসা কবা।

অর্জ্জুন—ক্ষমা কবা সখি! মই ধৈর্য্যহীন হৈছো। .....মোব ধৈর্য্য নহব কিয়? মই ত্রিভুবন-বিখ্যাত মহাবীব অর্জ্জুন। মোব সমান কোন আছে? মই খাণ্ডব দাহ কবি অগ্নিব তৃপ্তি সাধন কবিছো। মোব য'তে ত'তে জয়। সুবাসুব মোব-ভয়ত ত্রস্তমান। ভীষ্ম দ্রোণক মই বধ কবিছো। সংসপ্তকে মোব লগত যুঁজিব পবা নাই। কর্ণক মই পবাজয় কবিছো। মোব বাহুবলত যুধিষ্ঠিব পৃথিবীব অধীশ্বব হব। (যুধিষ্ঠিবব ভবিত ধবি) দাদা! মোক ক্ষমা কবক। মই অধৈর্য্য হৈ পাপ কবিলো। ধর্ম্মবক্ষাব নিমিত্তে মই আপোনাক নিন্দা কবিলো। মোব প্রতিজ্ঞা বক্ষাব কাবণেহে এনে কবিলো। দাদা! মোক ক্ষমা কবক। আপোনাব চবণ স্পর্শ কবি শপত খাইছো, কর্ণক বধ কবিম। বধ কবিব নোবাবিলে মোব সত্য ভ্রষ্ট হব।

যুধি—উঠা অর্জ্জুন! মই নিজে অধৈর্য্য হৈ তোমাক অধৈর্য্য কবিছোঁ। শোকবেজাব আক অপমানত জর্জ্জবিত হৈ হে তোমাক এনে কথা কলোঁ।

অর্জ্জুন—আজি কর্ণবধ আনিবার্য্য। সখি! তোমাব প্রসাদত আজি জয় লাভ কবিম। বাজা ধৃতবাষ্ট্র পুত্র-পৌত্রহীন হব। গোটেই পৃথিবী ধর্ম্মব জলতীয়া হব। কর্ণবধব লগে লগে দুর্য্যোধন দুঃশাসনবো মৃত্যু হব। শকুনিয়ে আক পাশা খেলিবলৈ নাপায়। দাদা! আপুনি আজি সুখেবে শুব পাবিব।

২য় দৃশ্য—শিবিরের সমুখ

(পূরা কর্ণের যুদ্ধযাত্রা—কর্ণই সূর্য্যকে প্রণাম করে)

কর্ণ—হে জগতের প্রাণদাতা ভাস্কর! কর্ণের সহস্র সহস্র প্রণাম গ্রহণ করো। তোমার দীনহীন পুত্র কর্ণ, পৃথিবীর নীচ সুতের তনয় কর্ণ, দৈবের বলত ভারত যুদ্ধের সেনাপতি। হে দেব! আশীর্ব্বাদ করিবা, যেন কর্ণই ন্যায় যুদ্ধত খ্যাতি লাভ করে। [আকৌ প্রণাম]

[বৃদ্ধা ব্রাহ্মণবেশী ইন্দ্রর প্রবেশ]

ইন্দ্র—(স্বগতঃ) এইযা সূর্য্যর পুত্র কর্ণ। কি সুন্দর, কি তেজস্বী! এয়েই সূর্য্যর পুত্র মহাবীর কর্ণ। এয়েই পৃথিবীর হীন সুতর নন্দন। যাবেই পুত্র হক লাগে,—পৃথিবীর আন এটি সূর্য্য।

(কর্ণই আগবাড়ি যাব খুজি বৃদ্ধ ব্রাহ্মণবেশী ইন্দ্রক দেখি চক খাই বয়। ব্রাহ্মণবেশী ইন্দ্রই লাগুটিত ধরি কাঁপি থোকা-থোকি মাতেবে আরম্ভ করে)

ইন্দ্র—মহারাজ অঙ্গপতি-কর্ণর জয় হ'ক।

কর্ণ—[প্রণাম করি] হে ব্রাহ্মণ! আপোনাক এই দীন কর্ণই কেনেকৈ সন্তুষ্ট করিব পারে?

ইন্দ্র—নিচেই দুখীয়া বাযুণ। দাতাকর্ণর ওচরত এটি দান বিচারি আহিছো।

কর্ণ—আপুনি নিসন্দেহে [কিওক। যুদ্ধযাত্রা করি আহিলেও মই আপোনাক সন্তুষ্ট করিম। আপুনি অকণো সন্দেহ নকরিব।

ইন্দ্র—মহারাজ! বহত ঠাইত লাজত পরিছো। আপুনি প্রতিজ্ঞা নকরিলে কেনেকৈ বিশ্বাস করো?

কর্ণ—আপোনার আরম্ভক হলে এই দীন কর্ণই প্রাণ পর্য্যন্ত—

(হঠাৎ আতুর হৈ পদ্মার প্রবেশ, কর্ণর ভরিত ধরি)

পদ্মা—নাথ, নাথ, ক্ষান্ত হওক, এই বৃদ্ধক তুমিতে আঁতর করক।

কর্ণ—পদ্মা!

পদ্মা—নাথ! (কাণ্ড-বাও করি ভরিত ধরি) এটিমাত্র অনুরোধ রক্ষা করক নাথ।

কর্ণ—কি অনুরোধ পদ্মা!

পদ্মা—আগধরি প্রতিজ্ঞা করক।

কর্ণ—কর্ত্তব্যত বিঘিনি [নোহোরা সকলো অনুরোধকে মই তোমার রক্ষা করি আহিছো। এতিয়াও করিম পদ্মা, উঠা।

পদ্মা—নাথ! এই বৃদ্ধ ব্রাহ্মণক দুঃ করক। ভিক্ষার প্রতিজ্ঞা নকরিব। এই ব্রাহ্মণে কাবেঙত আপোনাক লগ পাবলৈ অনেক যত্ন করিও নোরাবিলে। মই এটা বর যেয়া সমাজিক দেখিছো।

কর্ণ—দান করা মোর কর্ত্তব্য। কর্ত্তব্যত বাধা দি মোক অধর্ম্মর ভাগী নকরিবা।

ইন্দ্র—মাইদেরে বেয়া পাইছে যেতিয়া যাওঁহে মহারাজ।

কর্ণ—অসম্ভব ব্রাহ্মণ। আপুনি যাব নোরাবে।

পদ্মা—(কর্ণর ভরিত ধরি কান্দি) নাথ! মোর অনুরোধ রক্ষা করক।

কর্ণ—পদ্মা তুমি মোর পত্নী। মই তোমাক অনুরোধ করিছো—যদি তুমি প্রকৃততে সতী, অলপ আতর হোরা। মোক বাধা নিদিবা।

পদ্মা—নাথ! (মুখ ঢাকি চকু মোহারি কান্দি) আতর হ'ম।

কর্ণ—ব্রাহ্মণ! আরম্ভক হলে প্রাণ পর্য্যন্ত দিম।

ইন্দ্র—তেন্তে মহারাজ, আপোনার কবচ কুণ্ডল দান করক।

কর্ণ—কবচ কুণ্ডলেরে কি করিব ব্রাহ্মণ। ধন-গোন ঐশ্বর্য্য-বিভূতি, দাস-দাসী যিহকে লাগে—

ইন্দ্র—ওহো সেইবোর নালাগে।

কর্ণ—রাজ্য

ইন্দ্র—নালাগে, নালাগে, নিদিয়ে যদি যাওঁ।

কর্ণ—নাযাব, মোর প্রতিজ্ঞা রক্ষা করিম। (স্বগতঃ) ব্রাহ্মণ নহয়। ইন্দ্রই ব্রাহ্মণ বেশে অর্জ্জুনক সহায় করিছে। (চুটাই) হে দেবরাজ! আরু ছলনার আরম্ভক নকরে। (কবচ কাটি কুণ্ডল দি) এই কবচ গ্রহণ করক। যি পার্থর সারথি সাক্ষাৎ কৃষ্ণ, তার নিমিত্তে দেবরাজর ছলনার আরম্ভক নাই। (ব্রাহ্মণ পোন হৈ থিয় হয়, প্রকৃত মাতেবে কয়)

ইন্দ্র—কর্ণ! তোমাক ছলা সাধারণ কথা নহয়। তোমার গৌরব রক্ষা হওক। আরু কি বর লাগে কর্ণ কোরা।

কর্ণ—কি বর দিব দেবরাজ। দিয়ে যদি একাগ্নি অস্ত্র দান করক।

ইন্দ্র—হোরা কর্ণ মই আনন্দ মনেরে এই অস্ত্র দান করিলো। (কর্ণই অস্ত্র লৈ প্রণাম করে। ইন্দ্রর প্রস্থান)

কর্ণ—কি হব! এহাতে মোক বধ করিব পরাকৈ কবচ কুণ্ডল নি আনহাতে দি গল অর্জ্জুন বধর অস্ত্র। সকলো ব্যর্থ। পার্থর সারথি কৃষ্ণ। পার্থ অবধ্য।

[ভাবি ভাবি প্রস্থান।

(গান গাই বরাগীর প্রবেশ)

গীত

নমো দিবাকর ভাস্কর তেজকর
নমো মঙ্গলকর হে।
জগতর তুমি প্রাণর সারথি
বিশ্বর তুমি শিবর কিরীটি
তুমি দেবর দেবতা হে।
সবগর তুমি উজ্জ্বল শিখা
মহানবকরো জেউতির রেখা
সত্যর তুমি কিরীটি হে।

(পদ্মার উত্তরণ হৈ প্রবেশ। বরাগীক দেখি কোঁচ খাই যাব খোজে)

বরাগী—আই ভয় নাখাব। আপুনি মহারাজ কর্ণর পত্নী পদ্মা। আপোনাক কি লাগে?

পদ্মা—(আচবিত হৈ) আপুনি...

বরাগী—মই সকলো জানো। আপোনাক জানো। ভয় নাখাব, আচরিত নহব। জনাই মোর ব্যবসায়। মহারাজ কর্ণ যুদ্ধলৈ গল। আপোনার বাধা নামানি ব্রাহ্মণবেশী ইন্দ্রক কবচ কুণ্ডল কাটি দিলে।

পদ্মা—আপুনি যেয়ে হক। মোর স্বামীক...

বরাগী—আপোনার স্বামীক মই কি করিব পারো? বিধাতার বিধানত কোনে বাধা দিব। মহাকালর চক্র ঘুরিব লাগিছে। কালত যি হব লাগে সকলো হব। ব্রহ্মাও অনন্তত লীন হব। আপুনি আমি কোন ছার! ক'ত, বিধতার ইচ্ছা—মহারাজে কবচ কুণ্ডল দিব লাগে। আপুনি জানো বধার পারিলে? বিধতাই যি বিধান দি থৈছে, সেইদরে মহারাজরো হব। অ' আপুনি যাওক। আপোনার লবাকিটিয়ে আপোনাক নেদেখি ব্যাকুল হব। [প্রস্থান

পদ্মা—(স্বগতঃ) কুম্বগ্ন দেখি ইমান যত্ন করিলো, স্বামীক আতরাই বাখিবলৈ,—নোরাবিলো। বিধির বিধান মই ক্ষুদ্র নাবীয়ে কি লবচব করিম; দেবরাজে ব্রাহ্মণর বেশে বাক্ষসর দরে মোর স্বামীক ছলনা করিলে। (প্রণাম করি) হে চরাচরর গরাকী-পরম পুরুষ! তুমি যেয়ে—তোমার যি বিধানেই থওক—মোর স্বামীক মোর মুখলৈ চাই রক্ষা করিবা। —(ক্রমশঃ)

স্মৃতিস্তম্ভ

গল্প—

—শ্রীযুত প্রবোধচন্দ্র গোস্বামী

হাবিধনর সিমুরে তাইর তাহানিরে ভগা পজাটো। তাইর কোনো নাই, আছে মাথোন এটি দেবরছবীয়া শিশু। তাই বিধবা হোরাতো তাইর প্রাণর সেই কেঁচুরা লরাটোর মুখখনি চাই অনেক পরিমাণে শান্তনা পাইছিল। তেতিয়া সি 'আবা' 'আবা' করি মাকক আবদার ধরেহি, তেতিয়া তাইর বুকু মাতৃপ্রেমত ভরি উঠে। কি স্নেহ! কিন্তু নিয়তির লীলা কোনে বুজে! কার সাধ্য নিয়তির হাতর পরা রক্ষা পায়? দেহপিঞ্জরর পরা তার প্রাণ নিয়তিয়ে লৈ গল। তাইর তপত চকুলোরে তার দেহ-পিঞ্জর দুই নিলে। কান্দোনত গছর পাত সবি পবিল। তথাপি নিয়তির হিয়া নগলিল। নিষ্ঠুর নিয়তির হৃদয়, উস্ নিষ্ঠুরতার চরম বিকাশ।

তার পিছত বহুদিন গল, শোকৰ জুই মুহুমালেও দেখাত কম পৰিছে। চুখে কষ্টে কোনোমতে তাই জীৱন যাপন কৰিছে। সেইদিনা গধুলি চোতালত বহি তাই কিবা ভাবি আছে। কি ভাবিছে তাইহে জানে। কিন্তু তপত চকুলো পৰা দেখি অতীতৰ স্মৃতি তাইৰ মনত উদয় হোৱা যেন লাগে। বোধহয় তাই স্বামী দেৱতাৰ কথা, নাইবা নিয়তিয়ে কাঢ়ি নিয়া লৰাটোৰ কথা, তাৰ মাতৃত্বৰ কথা, অথবা তাৰ স্বৰ্গীয় জেউতি বিৰিঙা মুখখনিৰ কথা ভাবিছে। —অতীত স্মৃতিৰ—হায়! ডাৱৰে আগুৱা দুঃসহ কষ্ট।

হঠাৎ তাই চকু খাই উঠিল, নিচেই সৰু ঘোৰা এটাই তাইক ঢেলেকি আছে। তাইৰ মৰম লাগিল। ঘোৰাটোৰ গৰাকী নোলোৱাত তাইৰ তাতেই থাকিল। তাইৰ মনত খেলালে যেন তাইৰ স্নেহৰ পুতলাটিয়েই ৰূপ সলাই আহিছে। হেৰোৱা ৰতন আকৌ পুৱাই পাইছে। ঘোৰাটোৰ কিবা হব, কোনোবাই মাৰিব বুলি ভাবি তাই তাক চকুৰ আঁৰ নকৰিছিল। লাহে লাহে ঘোঁৰাটো দেখিবলৈ চিকুণ হৈ পৰিল। এদিন স্থানীয় মৌজাদাৰ কিবা কাৰণত সেইপিনে আহোঁতে ঘোৰাটোত তেওঁৰ চকু পৰিল। ঘোৰাৰ অনুপম সৌন্দৰ্য্যই মৌজদাৰৰ মন আকৰ্ষণ কৰিলে। তেওঁ ঘোৰাটো কিনিবলৈ বিচাৰিলে। তাইৰ হৃদয় কান্দি উঠিল। তাই তাইৰ দুৰৱস্থাৰ কথা জানিছিল, তাই ভাবিব ধৰিলে,—ঘোৰা বেচিলে তাই নগদ ১৪০৲ টকা পাব। নেবেচিলে টকাও নাপায় মৌজাদাৰৰো অগ্ৰিয় হয়। সাত-পাঁচ গুণি অৱশেষত তাই ঘোৰাটো বেচাক ঠিক কৰিলে। ঘোৰাটোক পঠিওৱাৰ সময়ত তাই হাতত লৈ তাক অলপ ধান খুৱালে আৰু কলে, "ঘোৰা বাছা। মৌজাদাৰৰ ঘৰত সুখেৰে থাকাগৈ।—" তাই আৰু একো কব নোৱাৰিলে। তাইৰ কণ্ঠৰোধ হল। এটুপি চকুৰ পানী মাচি লৈ ঘোৰা মৌজাদাৰৰ ঘৰলৈ গল।

সেই দিনা তাইৰ ঘোৱা নহল। বিছনাত পৰিল গৈ—মনত তাইৰ পুৱনি স্মৃতি উদয় হল। তাইৰ সেই স্বামী দেৱতাৰ আৰু সেই স্নেহৰ মাণিক দেৱদুৱৰী শিশুটিৰ কথাই তাইক শেল মাৰি ধৰিলে। অনুভূতিৰ কোমল হৃদয়—হায়! স্মৃতীক্ষ্ণ তীব্ৰ হলাহল।

বিধবাৰ ঘৰৰ পৰা মৌজাদাৰৰ ঘৰলৈ ১৫।১৬ মাইল দূৰ। সেইদিনা মৌজাদাৰৰ ঘৰত ঘোঁৰা নিকলেগ। ওচৰচুৱৰীয়াত বিচাৰ লগাই ঘোঁৰা ক'তো নাপালে। দুবাৰিলৈ মানুহ পঠিওৱা হল।

১০।১২ দিনৰ মুৰত আজি ঘোৰাটোয়ে সুযোগ পাই তাৰ ব্যাকুল হৃদয়ৰ অলপ শান্তনা দিবলৈ বুলি পলাই আহি বিধবাৰ গোহাল পাইছে। সি আহোঁতে বাটত বৰ কোবেৰে আহিছিল। ঘোৰাটোৱে চোতালত ঢেৰেৰে দি বাসবি পৰিল। সি ফোপাবলৈ ধৰিলে। তাৰ কাণ দুটা উশাহৰ লগে লগে ৰবকৈ উঠানমা কৰিবলৈ ধৰিলে। মুখেৰে লালটি ফেন ওলাল। জিভা বাহিৰলৈ ওলাই পৰিল। তাৰ পিছত? —তাৰ পিছত অতিৰিক্ত শ্ৰমৰ ফলত 'দম' বন্ধ হৈ মৰি থাকিল।

বিধবা তেতিয়া ঘৰত নাছিল। আহি তেনেহৈ ঘোৰাটো মৰি থকা দেখি তাই মূৰ্চ্ছাহত গল। তাই আৰ মুঠিল। অনন্ত বহস্যময় খেলাৰ...হায়! ইও এটা নিয়ন্ত্ৰিত খেল।

মৌজাদাৰৰ মানুহ আহি বিধবাৰ ঘৰ ওলাল। বিধবা তো নাহেই। ওচৰচুৱৰীয়াৰ মুখৰ পৰা সকলো কথা শুনিলে। বিধবাই পাৰ্বতীতলত থোৱা ১৪০৲ টকা ৰূপো সিহঁতে মৌজাদাৰক দিলে। টকাখিনি দি যি শুনিছিল তাকে কলেগৈ। মৌজাদাৰে সকলো বুজিলে। তাইক গোৱা ঠাই ভোগবত সেই ১৪০৲ টকাৰ লগত আৰু কিছু টকা দি মৌজাদাৰে এটি স্মৃতিস্তম্ভ সজাই দিয়ালে।

পুৰাণৰ সত্যাৰ্থ ব্যাখ্যা

২

—শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য

সিসংখ্যা আৱাহনত [বামন (বাওনা) কলৰিকে লেখা হৈ গৈছে। এতিয়া পুৰাণৰ বাম বাম বামশ্চ এই তিনটি বামকল্প লেখি তাৰ পিছত ক্ৰমে বোধ আৰু কল্পি কল্পৰ কথা আলোচনা কৰা যাব। আগতে দেখাই আহিছো যে পৃথিবী সৃষ্টি হোৱা দিনৰ পৰা কত কোটী বছৰ যুগ এতিয়ালৈকে হৈছে তাক মানুহে কৰা বিজ্ঞানে আৰু অনুমানে ঠাৱৰ কৰা অসম্ভৱ। একো একোটি কল্প অন্ত হবলৈ বোধে ধৰে কেবা কোটি বছৰো লাগে। জগতৰ ক্ৰমোন্নতিৰ হিচাপ কালে ভঙ্গা-গড়া মতে ধৰা কথা মানুহে দিয়া অসম্ভৱ যে, তাৰ ভুল নাই; ই মানুহৰ ধাৰণাৰ অতীত। তথাপি এই মনুষ্য মূৰ্ত্তি স্বৰূপ প্ৰাণীটিক ভগৱানে এনে আচৰিত জীৱ কৰি গঢ়ি তুলিছে, ই অবোধ জন্তুৰ দৰে কেনেকৈ, কিয় আৰু ক'বপৰা হল ইয়াৰ বিচাৰ নকৰাকৈ মনে মনে থাকিব নোৱাৰে। এই নিমিত্তে মানুহ প্ৰাণীয়ে সত্যৰ অনুসন্ধান নকৰাকৈ থাকিব নোৱাৰে যে সি স্বাভাৱিক। সত্যৰ অনুসন্ধান স্বভাৱেই মানুহক জ্ঞানৰ ক্ৰমোন্নতি মতে বুদ্ধিৰ বিকাশ কৰি নানা তৰহৰ আচৰিত বস্তু কৰায়। বুদ্ধিৰ কৰ্ম্মবিলাকেই হৈছে বিজ্ঞান কৌশল। বিজ্ঞান কৌশলৰ কৰ্ম্মবিলাক বৰ্ত্তমান আমি যি দেখিছো অতি পূৰ্ব্বে মানৱ জাতিৰ ভিতৰত কোনো জাতিৰ যে নাছিল এনে কথা আমি ডাঠি কব নোৱাৰো। আৰু বৰ্ত্তমানত আমি মানুহৰ যি সভ্যতা (civilization) দেখিছো ইয়াতকৈ যে অতি প্ৰাচীন কালত কোনো কোনো জাতি মানুহৰ অতি ওখ সভ্যতা নাছিল তাকো আমি ঠাৱৰকৈ কব নোৱাৰো। সৃষ্টিতৱৰ নিয়ম হৈছে চাৰিটি, যথা—আৱৰ্ত্তন, যেনে সৰু গুটিটৰ ভিতৰত অতি প্ৰকাণ্ড গছজুপি গোহাই থকা; বিবৰ্ত্তন—যেনে, গুটিটৰ ভিতৰৰ পৰা গছপুলিটি প্ৰকাশ হৈ লাহে লাহে ডাঙৰ হৈ পৰা; সম্বৰ্ত্তন—যেনে, গছজুপি ক্ৰমে যিমানলৈকে বাঢ়িব লগা তাৰ পৰা আৰু নবঢ়া; পৰিণাম বা পৰিবৰ্ত্তন—যেনে, গছজুপি মৰি উলটি গুটিটৰ ভিতৰত সোমোৱা। এই চাৰি বিধ প্ৰাকৃতিক নিয়মেই হৈছে সৃষ্টিতৱৰ নিৰ্ভুল বিধান। কিন্তু ধ্বংস একোৰো নাই, সাৰসলনি মাথোন। যেনেকৈ কোনো এযৰ মানুহ এসময় জ্ঞানে-বুদ্ধিয়ে-শক্তিয়ে ধনে-মানে যৰ গৌৰৱান্বিত থাকি কোনো এপুৰুষত সেই চিনহাল একো নথকা হয় তেনেদৰে প্ৰতাপী জাতিবিলাকৰো তেনে গতি হব যে তাক পুৰাণ-ইতিহাসেই প্ৰমাণ কৰি আহিছে। ইয়াকে ধৰি লবা প্ৰকৃতিৰ ভাওনা খেলা বা অভিনয়। এই কথাকেই সাক্ষী ধৰি ভাবিব পাৰি যে পৃথিবীবো পৰিবৰ্ত্তন আছে। আজি আমি যিবিলাক দেশত মনুষ্য বসতি দেখিছো সেইবিলাক যে এসময় সমুদ্ৰ গৰ্ভত নাছিল তাক কোনে কব পাৰে? এতিয়া যিবিলাক সমুদ্ৰ মহাসমুদ্ৰ দেখিছো এসময় যে সেইবিলাক অতি সভ্য জাতিৰ মহাদেশ নাছিল তাক বা কোনে কব পাৰে? জনপ্ৰাণী আদি জীৱজন্তু কোনদিন সৃষ্টি হল তাক কোনে দেখিছিল? এই কথা তুলি এজন ঋষিয়ে এজন ঋষিক সুধিছিল "কো দৰ্শং প্ৰথমম্ জায়ম্"। আনজন ঋষিয়ে উত্তৰ দিলে "ন কোপি দৰ্শং"। এই কাৰণে দেখা যায় আগেয়ে যে বৰ্ত্তমানতকৈও ওখ সভ্যতা নাছিল আৰু ওখ জ্ঞান-বুদ্ধিৰ মানুহ কোনো দেশত নাছিল এনে কথাৰ নিৰ্ণয় কোনেও কৰিব নোৱাৰে। আমি পুৰাণত যিবিলাক ঘটনাৰ কথা পঢ়ো সেইবিলাক 'যে কোন কল্পৰ কোন যুগত কোন ঠাইত হৈছিল তাৰ লেখ কোনে

দিব পারে? পুরাণব কথাবিলাকব অনেকখিনি মিছা কল্পনা বোলেঁহঁক। আজিকালিহে আকাশী যান ওলাইছে, আগেয়ে নাছিল; আজিকালিহে বেল মটরগাড়ী ওলাইছে, পূর্ব্বে নাছিল; আজিকালি যুদ্ধব অস্ত্র যিদবে বিজ্ঞান কৌশলবে সহজে অনেক মানুহ মবা আগেয়ে অস্ত্র ওলাইছে পূর্ব্বে ধনুকাব মাথোন আছিল, এতিয়াব দবে হিলে ববতোপ যোমা ওলোরা নাছিল; পাশ্চাত্য পণ্ডিতসকলে কোরা আক লেখা কথা শুনি আমাব ডকা সকলে অতিপূর্ব্বে ভাবতব আর্য্যজাতিব বিজ্ঞান কৌশলব কার্য্যবিলাক আচাবিত যে আছিল তাক বিশ্বাস নকবে, কল্পনা বুলি ধবে। বাক কবিকল্পনা বুলি ধবিবলৈ গলে কবিয়ে বস্তবিলাকব নাম কব পবা পালেহঁ? এতিয়াব এবঞ্জেনব দবে আকাশী যান যদি পূর্ব্বে নাছিল তেনেহলে সংস্কৃত অমবকোষ অভিধানত 'ব্যোমযানো 'বিমান যস্তি' এই শব্দ কবিকল্পনা নে? বাবণব পুষ্পক বথ কবিকল্পনা নে? সীতাক পুষ্পক বথত তুলি বাবণে লঙ্কাবে হবি' লৈ গৈছিল। শ্রীবামচন্দ্রে যেতিয়া সবংশে বাবণ বধ কবি সীতাক উদ্ধাবি সেই পুষ্পক বথতে তুলি অযোধ্যালৈ আহিছিল বাটে বাটে কত গাঁও ভূঁই নদী পর্ব্বত দেখি দেখি যোরা বামায়ণত সবিশেষ বর্ণনা কবিয়ে কোরা কল্পনা নে? শুনা যায় এদিন হেনো মহাপ্রতাপী সম্রাট বর্ত্তমান ভগা কেইজাবে এজন জার্ম্মান পণ্ডিতক (Professor) মাতি আনি জার্ম্মান ভাষাত অনূদিত হোরা বামায়ণ শুনিছিল, তাত পুষ্পক বথবে সৈতে বাম সীতা দুয়ো আকাশেদি আহোতে বাটে বাটে যিবিলাক দেখা পাইছিল তাব বর্ণনা শুনি তথা মানি পণ্ডিতজনক স্থবিলে যে সেইবিলাক কথা সচানে? পণ্ডিতজনে কলে—মিছা, কবিকল্পনা। সম্রাটে এই কথাত সন্তুষ্ট নহৈ কলে যে ইমানখিনি বৃত্তান্তবে ভবা বামচন্দ্রে সীতাক লৈ পুষ্পক বিমানেবে আহোতে ক'ত ক'ত কিমান ঠাই সীতাক দেখাই আছিল এইবিলাক কবিকল্পনা হব নোযাবে। এই ভাবি এজন পাবদর্শী লর্ড জেপেলিন বৈজ্ঞানিকক মতাই অনাই তেওঁক কলে যে বামচন্দ্রব গল অনুসবি পুষ্পক বথব দবে এখন আকাশী যান তেওঁ যেন তৈয়াব কবে। এই কথাযেই বোলে জেপেলিনব উৎপত্তি।

বর্ত্তমান যুগত যিবিলাক সাংঘাতিক যুদ্ধব অস্ত্র বিজ্ঞান বলত বাহিব হৈছে তেনেবিলাক অস্ত্রও যে অতি প্রাচীন কালব পূর্ব্ব পূর্ব্ব যুগত নাছিল এনে কথা কব নোযাবি। বামায়ণ মহাভাবতত যিবিলাক মহা অস্ত্রব নাম পোরা যায় নামবিলাক নো কবিকল্পনা নে? পাশুপত, ব্রহ্ম অস্ত্র, শতঘ্নি, একাগ্নি সম্মোহন বাণ, বেবাপাক, ধুম্রপাক বাণ, অগ্নিবাণ ইত্যাদি বিলাক অস্ত্রব নাম কবিয়ে কব পবা পালেহঁ? কবিব স্বকপোল কল্পিত বুলিবলৈ গলেও নাদৃত নাশ্রুত বা নোহোবা নোপোজা বস্তুব নাম কবিয়ে দিয়া অসম্ভব; বস্তু সৃষ্টি কবিহে নামকবণ পিছে কবা হয়।

ইউবোপীয় পণ্ডিতসকলব মতে মহাভাবত বামায়ণত লেখা পৃথিবীব মানব জাতিব বৃত্তান্তবিলাক আক যুদ্ধাদি ঘটনাবিলাক আছিয়া বা জম্বুদ্বীপত হে ঘটিছিল, শুক্লবেদমন পঞ্জাবত হে আর্য্যঋষিসকলে লেখিছিল। পাশ্চাত্য পণ্ডিতসকলে তাব বহুব গণনা কবে খৃষ্টপূর্ব্ব ১৫০০ বছব বা তিনি হাজাব বছব। এই কথা কোনোমতে মনে মানিব নোখোজোঁ। এই শুক্লবেদব সৃষ্টি, উত্তব মেরুখণ্ড বাজ্যবিলাকত যেতিয়া আর্য্যজাতি বা আদি জাতি মানুহ বিলাক আছিল তেতিয়াব পবা। আখব নোলোরা পর্য্যন্ত শ্রুতকণে মানুহব মুখে মুখে থকা শুক্লবেদব কথা আদি দেবতাসকলব আবাধনা-প্রণালী আখব সৃষ্টিব পিছত লিপিবদ্ধ হোরা অনুমান হয়। বাম-বাবণব যুদ্ধ ত্রেতাযুগত হৈছিল—মহাভাবতব যুদ্ধব বহু আগতে বুলি পুবাণে প্রমাণ কবে। কিন্তু আজিকালি পণ্ডিতসকলে বামায়ণ আক মহাভাবত দুইখন গ্রন্থব ভাষা মিলাই প্রমাণ কবি খোজে যে যিহলত বামায়ণব ভাষা আধুনিক হেন দেখি, কিন্তু ভাষা আধুনিক হব পাবে কথা হহ প্রাচীন, তেনে স্থলত মহাভাবত আগ, বামায়ণ আজিকলীয়া হে বুজা বুলি ভ্রম। পাশ্চাত্য পণ্ডিতসকলব এই মতকেই অনেক ভাবতবাসী পণ্ডিতেও স্বীকাব কবে। কোনো কোনো পণ্ডিতে কোৱা শুনো শ্রীবামচন্দ্রও নাছিল আক শ্রীকৃষ্ণও নাছিল। এই দুজন পুৰুষব মধ্য কালব অর্থাৎ খৃষ্টজন্মব পিছত কোনোবা কবিয়ে স্বকপোল কল্পিত ভাষময় চিত্রবে গঢ়ি উলিয়াহে বামায়ণ আক মহাভাবতব আখ্যান প্রকাশ কবিছিল।

বংশাবলীবিলাকো কবিকল্পনা নে? বামায়ণত অযোধ্যা মহা নগবী যিপ্রকাবব অষ্টালিকাপূর্ণ সুশোভিত নগব বুলি বর্ণনা আছে আক লঙ্কা মহানগব যেনে হর্ম্ম্যকিবীটনী অতুলনীয় আছিল; আনপিনে মহাভাবতব হস্তিনানগবো যেনে অপূর্ব্ব সৌন্দর্য্যময় অষ্টালিকাপূর্ণ আছিল এতিয়া তাব চিনহাণ অপশো নাই কিয়? কত হাজাব ফুট মাটিব তলত এইবিলাক মহানগব সোমাই আছে, খানি চাইছে নে? এইবিলাক কথাব উত্তব কাটিবলৈ গলে সৃষ্টিতত্ত্ব প্রাকৃতিক নিয়ম আবর্ত্তন, বিবর্ত্তন, সম্বর্ত্তন আক পবিবর্ত্তন বা পবিণাম এই চাবিটি কাল-সম্বন্ধব উজোরা ভটীরা ভোরাব-ভাঙা গধুবকৈ গমি চাব লগা হয়। মনুষ্য সৃষ্টি কেতিয়ব পবা পোনতে কোন ঠাইত হল ইয়াক ঠাবব কবি কোনে কব পাবে? মনুষ্য সৃষ্টিব পবা আজিলৈকে কত বছব অতীত হৈ গৈছে ইয়াকো কোনেও ঠিক কবি কব নোযাবে। আক কত মহাদেশ বর্ত্তমান সমুদ্রব গর্ভত লুকাই আছে তাব হিচাপ কোনোবাই দিব পাবে নে? বর্ত্তমান কত লোক-বসতিব মহাদেশ এতিয়া সমুদ্র গুচি দেশ হৈ পবিছে তাক নির্ণয় কবাও কঠিন। অপাপি এইবিলাক কথাব অনেকখিনি অনুমানে ঠাবোবা দেখা যায় অনুমান কল্পনা নহয় ই অনুভূতি। কোনো এঠাইত বৈ পবা হোলা এটি আক বিল এখন দেখা পালে যেনেকৈ অনুমানে কয় যে সেই হোলাটি আক বিলখন আগেয়ে কোনো এখন নৈ বৈ যোৱা চিন, তেনেদবে সাগবব দ্বীপবিলাক দেখিলেও অতিপূর্ব্বে মানুহে বাস কবা কোনো কোনো এখন দেশক সমুদ্রে গ্রাহ কবি পেলোবাব চিন স্বৰূপ দ্বীপ, উপদ্বীপবিলাকে প্রত্যক্ষ প্রমাণ দেখোবাও অনুমান অদ্ভুত বুলি কেনেকৈ কব পাবি? বর্ত্তমান ইউবোপীয় বিছুমান ভূতত্ত্ববিদ পণ্ডিতে আটলাণ্টিক মহাসাগবখন এসময় মহাদেশ আছিল বুলি অনুমান কবে। আমাব পুবাণেও কয় যে প্রিয়ব্রত বজাব বাজ্য উত্তব মেরুব পবা বৈ পবা মহাদেশ আছিল। এই মহাদেশখন গ্রিনলেণ্ড (হবিদ্বাদ্বীপ) ধবি লাগলেও, নববে চুইডেন আক হলেণ্ড দেশবিলাকে সৈতে আয়াবলেণ্ড, ইংলণ্ড আদি দ্বীপক ভুক্ত কবি বর্ত্তমান আটলাণ্টিক মহাসমুদ্র যে এখন মহাদেশ আছিল এনে অনুমান যুক্তিযুক্ত নহয় বুলি কেনেকৈ কব পাবি? এইহবে যুক্তিব বাট ধবি বিচাব কবি দেখিলে পূর্ব্বব অনেক দেশ বর্ত্তমান সমুদ্র, মহাসমুদ্র আক পৃথিবীব বর্ত্তমান অনেক দেশ, মহাদেশ অতি পূর্ব্বে কালত সাগব মহাসাগব নখকা বুলি কেনেকৈ কব পাবি? আগতে দেখাই আহিছো সৃষ্টিব নৈসর্গিক চাবিটি গতি—যথা আবর্ত্তন, বিবর্ত্তন, সংবর্ত্তন আক পবিণাম। এই গতি চক্রটেয়ে (পুবাণে যিহক ভগবানব সুদর্শন চক্র আখ্যা দিছে) সর্ব্বসৃষ্টিকাল তোলা-নামা কবিয়েই আছে, হৈয়ে হৈছে প্রকৃতিব ভাওনা বা অভিনয়। এই অভিনয় মনি চাব জনা পণ্ডিতসকলে দেখি তথা মানে। এই উঠা-নমা সুদর্শন চক্রব অভিনয় গতি এবাব তললৈ আনবাব ওপবলৈ ছেদ-ভেদ নোহোবাকৈ চলি আছে। আনপিনে অবশ্যে ক্রমবিকাশ তত্ত্ব হিচাপ মতে পবিণাম তত্ত্ব এটি ছেদ থকা দেখা যায়। কিন্তু প্রকৃতিব বহস্যতত্ত্বে আগব পুবণিক নকৈ ভাঙ্গব কবি গঢ়ি তোলাহে বুজায়, ই বিনাশ বা ধ্বংস কেতিয়াও বুজুৱায়। প্রকৃতিয়ে সর্ব্বতিকাল চক্রব চাবিবিধ গতিব ধাবাই বাহিবে ভিতবে ক্রমোন্নতিহে কবি থকা বুজাই। আটলাণ্টিক মহাসাগব এসময় মহাদেশ আছিল বুলি যেনেকৈ অনুমান কবিব পাবি আনপিনে বর্ত্তমান ভাবতবর্ষব দক্ষিণ থকা ভাবত সমুদ্রখনো এসময় নখকা অনুমানে ঠাববোবা অসিদ্ধ নহয়। এতিয়া আমি চিলোন (Cylone) ক লঙ্কাদ্বীপ পাতিছোঁ। এই চিলোন আফ্রিকাবে সৈতে লগা এখন মহাদেশ আছিল। বাবণব নগব যে সমুদ্র গর্ভত সোমাল, নহয় বোলা কেনেকৈ? কিছুমান ভূতত্ত্ববিদ পণ্ডিতে চিন্তা কবি কোৱা শুনা যায় যে বর্ত্তমান অষ্ট্রেলিয়া দ্বীপো যাবা (যবদ্বীপ), সুমাত্রা আদি কবি দ্বীপপুঞ্জবে সৈতে এখন মহাদেশ ভাবতবর্ষবে সৈতে লগা আছিল। এই কথাবিলাকো অবিশ্বাস কবিব নোৱাবি। এতিয়া টান হৈছে কোন সময় কেতিয়া মহাদেশবিলাক দ্বীপবিলাকবে সৈতে সুশোভিত সমুদ্র, মহাসমুদ্র হৈ পবিল আক আগব মহাসমুদ্রবিলাকে বিদায় মাগি একো একোখন মহাদেশ পাতিলে, তাত ছন তাবিখ তিথিবাব বজত্ব উলিয়া মানুহব বৃদ্ধিব অসম্ভব কার্য্য। মানুহব বৃদ্ধিব অসম্ভব কার্য্য বুলি ভাবিলেও হে মানুহ! এবাব তুমি দকৈ ভাবি চোৱা তুমিটো ক'ব পবা কি হল, কিয়, কেনেকৈ হল? এই কথা নিজক নিজে নোসোধাকৈ ক্ষান্ত নাথাকা। কথাব গুবিগহ নখনাকৈ তুমি কেতিয়াও ক্ষান্ত থাকিব নোহবা। এই তোমাব প্রকৃতি। পৃথিবী কোন দিনাখন সৃষ্টি হল, জীব জগত কেনেকৈ উৎপত্তি হল ইয়াবো বৃত্তান্ত তুমি জানি পাতি কব নোৱবা। তথাপি হে মানুহ! তুমি ফেনকুটিয়ই ঘনে ঘনে তোমাব মনক নোসোধাকৈ থাকিব নোৱবা। এই কথাব প্রমাণ মাত দুটা সময়বে পবা কেচুবাটিয়েও

'এইটি কি, সেটি কি' সুধি সুধি মাক বাপেকক নিমাত্ত কবে। এইটিকে বোলে 'ভগবানে মানুহক দান দিয়া অনুসন্ধান প্রবৃত্তি। এই অনুসন্ধান প্রবৃত্তিটিব পিছত আছে বিচাবসংযুক্ত অনুমান শক্তি। এই বিচাব শক্তিয়েই অনুমান স্বৰূপ বস্তিগছ হাতত লৈ ক'ত কি আছে নাই চাই ফুবে। সঁচা দেখা নে মিছা কল্পনাৰ চিত্ৰ দেখা তাক বিবেকে বিচাব কবি ঠাৰবায়। এতিয়া বিচাব কবি দেখিব লগা হৈছে সৃষ্টিতত্ত্ব সম্বন্ধে অনুমান পোহবত দেখা পোৱা কথাবিলাক। বিবেকে যিদবে যুক্তি বিচাব কবি দেখায়, মনে যাক হয় হয় বোলে, এতেকে মনে 'যিবিলাক হয় হয় বোলে পুবাবৰ সত্যাৰ্থ ব্যাখ্যাত তাক হে দেখাওঁ। এজন যে নিয়ন্তা সৃষ্টিকৰ্ত্তা আছে বিশ্বত্ৰহ্মাণ্ডখন আক মই নিজক দেখি মই আছোঁ বুলি যে উপলব্ধি কবিছো এনে কথাকেই মনে হয় হয় বোলে। এজন যে সৃষ্টিকৰ্ত্তা আছে ইয়াক যিটি অনুমান জ্ঞানে তত ধবিব পাবিছে সেইটিক অনুভূতি বোলে। এই অনুভূতিয়েই উমান ধবি ক'ব পবা কি কেনেকৈ হল তাক বিচাব কবাই আমাৰ মনক সন্তোষ দিয়ে। ইয়াকে বোলে আচল জ্ঞান, ইয়াকে বোলে বিদ্যা। ই নহলে মানুহ পশু তুল্য হৈ থাকে।

তথ্য অনুসন্ধান কবি অনুমান বিচাবৰ দ্বাবেই সত্য বাহিৰ কবাকেই বোলে 'প্ৰকৃত সাহিত্য। এতিয়া বিচাব কবি দেখা যাওক যে ঐশ শক্তি প্ৰকৃতিয়ে সৰ্ব্বতিকাল পুবণিক গুচাই নতুনব ভাওনা পাতি থকা সন্দেহ নথকা কথা। জগদীশ্বৰব বাহিবে ভিতবে একেখনি আইন। নল মবি পুনব ন-গজালি উঠাব দবে সৃষ্টি নতুন হৈ থাকে, বাহিবে যেনে নিয়ম ভিতবে জ্ঞানবাজ্যবো তেনে নিয়ম। সৃষ্টিত সম্বন্ধে যে বাহিবে ভিতবে একেখনি আইন বা একেটি নিয়ম তাব লবাব নাই, তাক বেদেই কৈছে—সঙ্ক্যাবিধিতে পোৱা যায় "গথা পূৰ্ব্বম কল্পং দিবাঞ্চ পৃথিবীঞ্চান্তবী সমস্য:" অৰ্থাৎ বিধাতাই পূৰ্ব্ব পূৰ্ব্ব কল্পত যেনেকুবা যেনে-কুবা ভাববে কল্পনা কবিছিল সেই সেই ভাববেই সৃষ্টি হল। আমি হে এতিয়া কল্পক চুটি কবি পাতিছো, কিন্তু সৃষ্টিবো যেনে সীমা নাই কল্পবো তেনে সীমা নাই। এই কথা ধবি ঠাৰবাব পাবি যে কত কল্পক কত নতুন সৃষ্টি হৈ গৈছে তাব অন্ত নাই। গবাকীজন যেনে অনন্ত সৃষ্টিও তেনে। এই অনন্ত হেতুকে পূৰ্ব্বে কল্পনা কবামতে সৃষ্টি এবাৰ উদয় হৈ পুনব অস্ত হোৱা তাব পিছত আকৌ উদয় হোৱা নিয়ম মতে সৃষ্টি ভঙ্গা গঢ়া হৈ থকা নামানি নোৱাবি। এনে কাবণে ভাবি স্থিব কবিব পবা যায় যে এই পৃথিবীত এক কল্পক যিবিলাক মহাদেশ আছিল আজিকালি সেইবিলাক মহাসমুদ্র। অতি পূৰ্ব্বে মহাসমুদ্র থকা ঠাইবিলাক আজিকালি মহাদেশ। আজিকালি হে মানুহব জ্ঞানব উন্নতি হৈছে এনে ভাবি ঠাৰবাবৰ কাবণ নেদেখি জ্ঞানব ওপবতেই সৃষ্টি, জ্ঞানেই সৃষ্টি ভঙা গঢ়া কবে, প্ৰকৃতিয়ে সৃষ্টিবহস্য অৰ্থাৎ জ্ঞানব খেলা দেখোৱাবৰ নিমিত্তে হে মানুহক সৃষ্টি কবিলে। জ্ঞানবো উদয় অস্ত আছে। এই কাবণে পূৰ্ব্ব পূৰ্ব্ব যুগব মানুহব জ্ঞান-বিজ্ঞান অনেক পাহবাবিব গৰ্ভত সোমোৱা হেতুকে আমি ভুল বুজি অমুকটো ভচুকটো আগেয়ে নথকা বুলি তৰ্ক পাতোহক; কিন্তু সৃষ্টি সদায় আছে জ্ঞানো সদায় আছে যে এনে সাৰ কথাব প্ৰতি দৃষ্টি নাবাখো।

বামকল্প

বামকল্প মানে তিনটি বামনাবৰ ক্ষমতাশালী শুদ্ধ স্বত্বাই পুৰুষক সৃজায়, মানুহে আদিবে পবা জ্ঞানব কাৰ্য্য কবাকহে বুজায়। বাম মানে "বমতীতি বাম:" অৰ্থাৎ মানুহ আছি যেতিয়াৰ পবা সৃষ্টিত জ্ঞান উপভোগ কবিব ধবিলে তেতিয়াৰ পবা বামকল্প। এই বাম তিনটি ভাগত বিভক্ত, যথা—প্ৰথম,'দ্বিতীয়, তৃতীয়। আমি এতিয়া দ্বিতীয় বামকয়তে আছো হেন বোধ ধবে। এই হেতুকে দ্বিতীয় বাম কল্পব কিছুমান যুগব কথা আমি ভু পাওঁ। তৃতীয় বামকল্পত মানব জাতিব জ্ঞান কিমান ওপবলৈ ওথ হৈ উঠিব বা তললৈ নামিব তাক আমি নাজানো। এই বৰ্ত্তমান দ্বিতীয় বাম কল্পত বুৰঞ্জীয়ে প্ৰমাণ কাৰ কত জাতি শক্তিশালী আৰু উন্নত প্ৰতাপী হৈ এক এক যুগত পৃথিবী ভোগ কবিছিল আজি সেইবিলাক মানুহ বা জাতি কলৈ গল? সেইবিলাক মানুহব বংশ আজি চিনচাপ হেবোৱা অসভ্য, পবাধীন আৰু জ্ঞানহীন ধৰ্ম্মহীন হৈ পবিল। এইবিলাকব ঠাই আজি আদি ঘোৰ অসভ্য জাতি সভ্য, জ্ঞানী আৰু শক্তিশালী হৈ পুবালে। আমাৰ অসমীয়াত কথা এটি আছে, "একালে বায় একালে বয় আৰু একালে মাগিও ভাত নাপায়"। প্ৰকৃতিয়ে কোনো মানুহকেই বা জাতিকেই চিবকাল দোৰ্দ্দণ্ড প্ৰতাপী থাকিব নিদিয়ে; কাবণ তেনেহে সৃষ্টি ধ্বংস হয়। উদ্ভিজ্জ প্ৰাণীব যেনেকৈ কিছুমান কঠীয়া-তলীতে কিকিবীয়া হৈ থাকে কিছুমানে বন, বতাহ আৰু ঘটি পানী সাব পাই লহ-লহকৈ উঠি শোভা কবে, মানব জাতিকো বিজাই চালে তেনেকুবা। জ্ঞানব সাব নোগোৱা মানুহবিলাককো প্ৰকৃতিয়ে সচ বাখি আগলৈ মানুহ কবি তুলিবলৈ, পুবণিব ঠাইত নতুনক গঢ়ি তুলিবলৈ কঠীয়া-তলীতে বাখে। ইয়াকেই বোলে প্ৰকৃতিয়ে পুবণি ভাবীয়া খেদাই নতুন ভাবীয়া তুলি দেখালি কবা কথা।

বিশ্ব প্ৰবাহ

জাপান সম্ৰাটব হত্যাপ্ৰচেষ্টা

জাপান সম্ৰাটক হত্যা কবিবলৈ চাবিবাৰ চেষ্টা কবা হল। শেহবাৰ যোৱা জানুৱাৰী মাহৰ ৮ তাৰিখে কোবিয়াৰ ডেকা এজনে এই চেষ্টাটো কবিছিল। সিদিনা



জাপান সম্ৰাটক গুলীওৱাৰ সময়ত অহা পুলিছ বাহিনী

সম্ৰাটে টকিওত সৈন্য-সামন্ত আদি পবিদৰ্শন কবি বিবাট শোভাযাত্ৰা এটাবে উভতি আহিছিল। এনে সময়তে জনতাব মাজবপবা ডেকাজনে বোমা এটা সম্ৰাটৰ গাৰিলি মাবি পঠিয়ায়। বোমাটো গাড়ী এখনব তলত পবি তাব একাংশ ফাটি যায়। সম্ৰাটে কোনো আঘাত পোৱা নাছিল। পুলিছ আহি তৎক্ষণাৎ ঠাইডোখব বেৰি ধবে।

আন্তর্জাতিক শ্রমিক সভাব প্রতিনিধি

জেনেভাত বহা ১৬শ আন্তর্জাতিক শ্রমিক সভালৈ যোৱা ভাৰতীয় প্ৰতিনিধিসকল। আগব শাৰী—বাওঁফালব পবা সৌফাললৈ—মিঃ আব, কে, এছ, চেটি; চাব বি, এন, মিত্ৰ; চাব অতুল চেটার্জী; ডাঃ পি, পি, পিল্লাই। ২য় শাৰী—মিঃ কে, আব, নেলন; মিঃ এ, ডিবডিন্। শেষব শাৰী—মিঃ কে, কুবিয়ান আৰু মিঃ আব, বাও।



আন্তর্জাতিক শ্রমিক সভাব ভাৰতীয় প্ৰতিনিধিসকল

নাচনিয়াবৰ সুখ্যাতি

ভাৰতীয় নাচনিয়াৰ শ্রীযুত উদয় শঙ্কৰব নাচৰ খিয়াতি দেশে বিদেশে বিয়পি পবিছে। তেওঁ এদল ভাৰতীয় ছোৱালী লৈ গোটেই য়ুবোপত নাচ দেখুৱাই ফুৰিব লাগিছে। এতিয়া তেওঁ জার্ম্মেনীৰ বাৰ্লিনত ৰেষ্টাৰ্ণ থিয়েটাবত নাচ দেখুৱাব ধবিছে।



উদয় শঙ্কৰ আৰু তেওঁৰ লগৰ ছোৱালীসকলে আম্মেনীত নাচ দেখুৱাব লাগিছে।

শ্যানৱাজ্যৰ কাণ-বিন্ধনি উৎসৱ

শ্যানদেশৰ মানুহবিলাকৰ কিছুমান সুকীয়া সামাজিক আচাৰ-নীতি আছে। এই আচাৰ নীতিবোৰক তেওঁলোকে ধৰ্ম্মোৎসৱ হিচাপে পালে। ছোৱালীহঁতৰ কাণ বিন্ধনি উৎসৱো এইবোৰৰ আন এটা ধৰ্ম্মোৎসৱ।



শ্যানদেশৰ ছোৱালীবিলাক কাণ-বিন্ধনি উৎসৱত যোগ দিছে

ভাৰতীয় কোনো কোনো জাতিয়েও এই উৎসৱটো ধৰ্ম্মোৎসৱ হিচাপে পালে। ছবিত দেখা এই শ্যানদেশীয় ছোৱালীবোৰে কাণ-বিন্ধনি উৎসৱত যোগ দিছে।

ভাৰতীয় চাহ

ছবিত দেখা এইবোৰ ভাৰতীয় চাহৰ দ'ম। লণ্ডনৰ এই অঞ্চলত পৃথিবীৰ সমুদয় চাহ গোট খায়হি। চাহ-ব্যৱসায়ৰ এইদৌখৰ ঠাইেই মাইকেন্দ্ৰ। ঠাইডোখৰৰ নাম মিন্‌চিং লেন।



মিন্‌চিং (লণ্ডন) লেনত ভাৰতীয় চাহৰ দ'ম

মিছেজ পুণ্টাম্

মিছেজ পুণ্টাম্ আমেৰিকাৰ। তেওঁ নিউফাউণ্ডলেণ্ডৰ হাৰ্ব্বাৰ গ্ৰেছবপৰা আয়াৰলেণ্ডৰ লণ্ডনডেৰিলৈ উৰণীয়া জাহাজেৰে উৰি গৈছিল। এই ঠাই দুডোখৰৰ দূৰত্ব



মিছেজ পুণ্টাম্

ছহেজাৰ মাইল। মিছেজ পুণ্টামে ক'তো নোবোৱাকৈ এই ছহেজাৰ মাইল বাট ১৬ ঘণ্টাত উৰি গৈছিল।



নেপালৰ প্ৰধান মন্ত্ৰী—অলপতে কলিকতা চাই গৈছে।

জোনাকি পকৱাৰ লেণ্টাৰ্ণ

পশ্চিম ভাৰতীয় দ্বীপপুঞ্জত পোহৰ ওলাৰ পাৰা সৰু বিন্ধা কিছুমান কবি লৈ লাওখোলা এটাত কেতবোৰ জোনাকী পকৱা ভৰাই এই চাকি তৈয়াৰ কৰা হয়।



লাও টোকোৱাত জোনাকী পকৱা ভৰাই সজা লেণ্টাৰ্ণ

খোলাটোত ছবিত দেখুৱা দৰে ছৱাৰ এপন কাটি লৈ তাৰে পকৱাবোৰ সুমাই বন্ধ কৰিলে আন্ধাৰ ঘৰৰ কোঠালী নাইবা বাটত হৈ পোহৰৰ কাম দিয়ে।



টোকিওত হোৱা প্ৰতিযোগিতাৰ বিচাৰমতে এই ছোৱালীজনী—মিছ কিমিকো ওটচাকা—জাপানৰ সবাতো শুৱনী ছোৱালী।

শ্ৰীযুত হৰিপ্ৰসাদ শইকীয়া

এওঁৰ বয়স ১৯।২০ বছৰ মাত্ৰ, জাঁজীৰ মৰাবজাৰ মৌজাৰ মৌজাদাৰ শ্ৰীযুত ৰামপ্ৰসাদ শইকীয়াৰ ভায়েক, ৭।৪।৩২ তাং জাঁজীত এটা বৰ ডাঙৰ বেত আচোৰা বাঘ



শ্ৰীযুত হৰিপ্ৰসাদ শইকীয়া

ওলাই দিনতে চাৰিটা মানুহ ঘাইল কৰে। কেবাজনো চিকাৰীয়ে বাঘটো মাৰিব খোজোতে জাঁজী নৈৰ ইপাৰৰ পৰা সিপাৰলৈ বাঘ গুছি গল। আন চিকাৰীয়ে বাঘ নৈ পাৰ হলত এৰি গুচি গল কিন্তু শ্ৰীযুত শইকীয়াই বাঘৰ পাছে পাছে খেদি গৈ নৈ পাৰ হৈ বাঘটো গুলিয়াই মাৰিলে। এই সাহসৰ নিমিত্তে আৰু বিপদৰ পৰা ৰাইজক উদ্ধাৰ কৰাৰ নিমিত্তে প্ৰায় হেজাৰ বাৰশ ৰাইজে শইকীয়াক হৰিধ্বনি কৰি আশীৰ্ব্বাদ দিয়ে। ৰাইজে পুৰস্কাৰ স্বৰূপে এটা পদক দিবলৈ থিৰ কৰিছে।

প্ৰফেছৰ কেণ্ডেলৰ আবিষ্কাৰ

মানুহৰ গাত সকলো বেমাৰৰ বীজ থাকে আৰু তাক অনুবীক্ষণ যন্ত্ৰেৰে দেখা পায়। কিন্তু কেতবোৰ বেমাৰৰ বীজ শক্তিশালী অণুবীক্ষণ যন্ত্ৰেৰেও সমূলি দেখা নাযায়। যেনে—ইনফ্লুৱেঞ্জা, সৰু আই, সাধাৰণ পানী-লগা ইত্যাদি। প্ৰফেছৰ আৰ্থাৰ প্ৰথম কেণ্ডেলে বহুদিন গবেষণা কৰি এটা নতুন তথ্য আবিষ্কাৰ কৰিছে যে অণুবীক্ষণ যন্ত্ৰেৰে দেখা নোপোৱা বেমাৰৰ বীজো পোটিনৰ বিষয়ে ভালকৈ তথ্যবোৰ জানিলে দেখা পায়।



প্ৰফেছৰ কেণ্ডেল

বিবিধ

৬৭খন বিমান পোতেৰে আন্তৰ্জাতিক প্ৰতিযোগিতা—

যোৱা ১১ জুনৰ পৰা ৬৭খন বিমানপোত য়ৰোপৰ চাৰিওপিনে ঘূৰাৰ প্ৰতিযোগিতাত বাহিৰ হৈছে। এই বিলাকে প্ৰায় ৪০০০ মাইল আকাশৰ বাটেদি ফুৰিব আৰু য়ৰোপৰ প্ৰায় সকলো ডাঙৰ ডাঙৰ নগৰ আৰু ৰাজধানীত উপস্থিত হব।

আয়াৰলেণ্ডত আকৌ সাধাৰণ নিৰ্ব্বাচন—

এটা গুজব উঠিছে যে প্ৰেচিডেণ্ট ডি ভেলেৰাই আকৌ আয়াৰলেণ্ডৰ সাধাৰণ নিৰ্ব্বাচনৰ বাবে আয়োজন কৰিছে। প্ৰকাশ যে তেওঁ অহা জুলাই মাহৰ প্ৰথম সপ্তাহতে বৰ্ত্তমান পাৰ্লামেণ্ট ভাঙি দিব। অহা সপ্তাহলৈ ডবলিন নগৰত পৃথিৱীৰ সকলো দেশৰ কেথলিক বিলাক তেওঁলোকৰ এটা বাৰ্ষিক অধিবেশন উপলক্ষে গোট খাব। সম্ভৱতঃ এই সন্মিলনৰ শেষত ফ্ৰিষ্টেট পাৰ্লামেণ্ট ভাঙি দিয়া হব।

লণ্ডনত ভাৰতীয় ক্ৰিকেট খেলাৰুসকল—

ভাৰতৰ কেজনমান ক্ৰিকেট খেলাৰু লণ্ডনলৈ গৈ খেলৰ ভিতৰেদি ভাৰতবাসীৰ কৃতিত্ব দেখুৱাব লাগিছে। খেলাৰুসকলে তাত বৰ আদৰ অভ্যৰ্থনা পাব লাগিছে। এই খেলাৰুসকলৰ ভিতৰত ভাৰতৰ কেবাখন প্ৰদেশৰ মানুহ আছে। আমি আমাৰ অসমীয়া খেলাৰুসকলক এনে সন্মানৰ আসনত দেখা পাবলৈ বৰ হাবিয়াস কৰিছোঁ। দেশৰ উন্নতি বুলিলে তাৰ চিন সকলো ফালেদি ফুটি উঠাই লক্ষণ। আমি ভাৰতবাসী হিচাপে এই খেলাৰুসকলৰ কাৰ্য্যত গৌৰব বোধ কৰিছোঁ।

সাগৰৰ বুকুত বন্দুকৰ গুলী—

'টাইমচ' কাকতত প্ৰকাশ যে মিচৰৰ ইজিপ্ট নামৰ বন্দৰৰ যি কোষাগাৰ পানীৰ তললৈ গৈছে তাৰ পৰা বহুত লাখ টকাৰ সোণ উদ্ধাৰ কৰিবৰ চেষ্টা হব লাগিছে। ডুবৰীয়া সকলে সাগৰৰ তলিৰ সেই পোত পাইছিল গৈ। তাত তেওঁলোকে কিছুমান ৰাইফলৰ গুলী পাইছে। সেই-গুলীবিলাক পতিয়ালাৰ মহাৰজাৰ ওচৰলৈ পঠোৱা হৈছে বুলি জনা গৈছে।

মহাত্মাজীৰ বিৰুদ্ধে মন্তব্যৰ প্ৰতিবাদ স্বৰূপে লণ্ডনৰ ভোজসভা ত্যাগ—

লণ্ডণত "বম্বে ভোজ" উপলক্ষে যিখন সভা বহিছিল তাত বক্তৃতা দিওঁতে স্যাৰ হেনৰী লৰেন্সে ভাৰতীয় চৰমবাদী দলক আক্ৰমণ কৰিছিল। আৰু লগে লগে মহাত্মাজীৰ অহিংসা নীতিৰ পৰিবৰ্ত্তন হৈছে বুলি কৈছিল। মহাত্মাজীয়ে ভগৱৎসিঙক প্ৰশংসা কৰিছিল। সেয়ে তেওঁৰ মতে মহাত্মাজীৰ নীতি-পৰিবৰ্ত্তনৰ কাৰণ। স্যাৰ হেনৰী লৰেন্সৰ এনেবিধ বক্তৃতাত অসন্তুষ্ট হৈ তাৰ প্ৰতিবাদ স্বৰূপে দুজন অতিথিয়ে ভোজসভা এৰি গুছি গৈছিল। এই হেনৰি লৰেন্স এসময়ত অস্থায়ীভাৱে বম্বেৰ লাট আছিল।

আমেৰিকাৰ প্ৰেচিডেণ্ট নিৰ্ব্বাচন উপলক্ষে—

হাৱাৰ্ড গোষ্ঠীৰ ২৫ খন বাতৰি কাকতে সম্পাদকীয় স্তম্ভত—"আমি আল স্মিথকহে বিচাৰিছোঁ" এনে ধৰণৰ প্ৰবন্ধ লিখিছিল। তাৰ উদ্দেশ্য অহা নিৰ্ব্বাচনলৈ মিঃ হুভাৰে যাতে আকৌ নিৰ্ব্বাচিত হব নোৱাৰে। অথচ মিঃ হুভাৰৰ নিৰ্ব্বাচনৰ সময়ত বিশেষকৈ এইবিলাক কাকতেই বোলে তেওঁৰ বাবে প্ৰচাৰৰ কাম কৰিছিল।

সাগৰৰ মাজত বৈমানিকৰ অৱস্থা—

মিঃ ষ্টেনলী হোম্বাৰ নামেৰে আমেৰিকান এজনে যোৱা ৩ জুন তাৰিখে আমেৰিকাৰ নিউজাৰ্চি নগৰৰ পৰা

য়ৰোপৰ ফালে বিমান ৰথেৰে যাত্ৰা কৰিছিল। কিন্তু এসপ্তাহমান তেওঁৰ খবৰ পোৱা হোৱা নাছিল। সকলোৱে তেওঁৰ জীৱনৰ বিষয়ে নিৰাশ হৈছিল। যিকি নহক যোৱা ১১ জুনৰ ৰাতি এখন বৃটিছ জাহাজে তেওঁক আটলাণ্টিক মহাসাগৰৰ পৰা উদ্ধাৰ কৰিছে। মিঃ হোম্নাৰে বিমান পোতৰ ওপৰত সাগৰৰ মাজত অতি অসহায়ভাবে আহি আছিল। আঠ দিন আঠ ৰাতি তেওঁ এনে বিপদৰ মাজত কটাইছিল। খাবলৈ তেওঁৰ আন একো নাছিল। কেৱল স্যেণ্ডুইচ আৰু বিমান যন্ত্ৰত দিবলৈ লোৱা পানী মাত্ৰ সম্বল আছিল। যদিও মিঃ হোম্নাৰ আহত হোৱা নাছিল তথাপি তেওঁ এনে ক্লান্ত হৈ পৰিছিল যে তেওঁৰ উদ্ধাৰৰ পিছত তেওঁ তেওঁৰ দুৰ্ভাগ্যৰ কথা কবলৈ শৰীৰত বল পোৱা নাই। তেওঁক উদ্ধাৰ কৰা হলেও তেওঁ এতিয়াও সাগৰতে। তেওঁক উদ্ধাৰ কৰা বৃটিছ জাহাজখনে তেওঁক লৈ অহা ২৭ জুন তাৰিখেহে নিউ অৰ্লিয়েন্স পাবগৈ বুলি আশা কৰা হৈছে। তেওঁ ৩ জুন তাৰিখে যাত্ৰা কৰিছিল আৰু সিদিনাই গধূলি আটলাণ্টিক মহাসাগৰত নামিবলৈ বাধ্য হৈছিল।

লুইতৰ বালি

কবিতা— —শ্ৰীযুত শৈলধৰ ৰাজখোৱা, বি-এ

ৰূপত ভুলালি মন লুইতৰ বগাবালি
পিয়াহত প্ৰাণ ফাটি যায় ;
জিলিকনি দেখি তোৰ আশাত বলিয়া মন
ললো আহি কাষৰত ঠাই।

মুকলিমুৰীয়া তই মনমোহা সাজপাৰ
চিকিমিকি ৰূপালী বহণ,
তাতেই বিভোল হই কাষ চাপি আহি তোৰ
খন্তেকতে ভাগিল সপোন।

জিলিকনি বিনে বালি একোকে নাপাওঁ তোৰ
খোজেপতি ভাগি যায় পাৰ ;
নেদেখো শীতল ছঁয়া, তেনেই নীৰস তই
ৰূপ তোৰ নিচেই অসাৰ।

বেলিৰ তাপত বালি ইমান প্ৰকোপ তোৰ
দেই-পুৰি দহিলি শৰীৰ !
সহিব পাৰিছোঁ মই দুপৰৰ চোকা ৰ'দ
তোৰ তাপে কৰিলে অথিৰ।

বিচাৰো শীতল পানী দেখুৱালি মৰীচিকা
যাওঁমানে আঁতৰি পলায় ;
খোজে পতি বাধা দিলি নোৱাৰো উধাৰ আৰু,
প্ৰাণ মোৰ কৰে হায় হায় !

নিজৰ ৰূপতে বালি নিজেই পাগল হলি
নুবুজিলি কি আছে প্ৰাণত ;
অন্তৰ-সলিলা তই স্বভাৱ-সুন্দৰী অই !
সেই কথা ৰাখিবি মনত।

শীতল নিজৰাখনি জনমৰ ঠাই তোৰ
হিয়া তোৰ স্বভাৱ-কোমল ;
বেলিৰ সঙ্গত পৰি বাহিৰে কঠুৱা তই
ভিতৰত তেনেই শীতল।

আহে যদি বাটকৰা দেখুৱাবি হিয়া ফালি
অন্তৰৰ চেনেহ-নিজৰা,
বাৰিষাৰ ঢল আহি ধুই নিলে ৰূপ তোৰ
সুৰ্ঁৰিব নিলগৰপৰা।

চীন জাপানৰ যুদ্ধ—



চিন্‌চৌৱেদি জাপানী সেনা মাঞ্চুৰিয়ালৈ যাব ধৰিছে ! মুখডেনৰপৰা পিকিনলৈ যোৱা ৰেল-আলিৰ চিন্‌চৌ ষ্টেশ্যনত পদাতিক সৈন্য গোট খাইছে।



সেনাপতি মুৰোৰ সৈন্যদলে অবাধে চিন্‌চৌ দখল কৰিছে। নগৰৰ ভিতৰলৈ জাপানী পদাতিক সেনা যাব ধৰিছে।



চিন্‌চৌত জাপানী সেনা—নগৰৰ পুৰণি দুৰ্গ এটাৰ ওপৰত। চীনাবিলাক তাৰপৰা ওলাই নোযোৱালৈকে জাপানী সেনাই তাক দখল কৰা নাছিল।



জাপানী "আৰ্ম্মাৰ্ড ট্ৰাক"—চিন্‌চৌৰ ওচৰৰ এটা দৃশ্য। ইয়াত ডকাইত আৰু থলুৱা স্বেচ্ছাসেৱকসকলৰ লগত সদায় সংঘৰ্ষ লাগি থাকে।



ডকাইতেৰে ভৰা মাঞ্চুৰিয়াৰ "শান্তি আৰু শৃংখলা" ৰাখোঁতা জাপানী পদাতিক সৈন্য—চিন্‌চৌৰ এটা ছৰ্কাৰী বিল্ডিং দখল কৰি আছে।



জাপানী অশ্বাৰোহী সৈন্যই কোপাজি (Kowpangtze)ত সোমাব ধৰিছে। এই ঠাইখন চিন্‌চৌলৈ যোৱা বাটত।

গোলাঘাট কোঁচ-সন্মিলনৰ প্ৰথম অধিবেশনৰ সভাপতিৰ অভিভাষণ

—শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা

এনে এখন ৰাজহুৱা সন্মিলনত সভাপতিৰ সন্মান লাভ কৰাটো অতিশয় সৌভাগ্যৰ বিষয় সেইবাবে মই সন্তোষ পাইছোঁ আৰু আপোনাসকলৰ নথৈ শলাগ লৈছোঁ। মোৰ অকল অসন্তোষ এয়েহে যে—মই এই সন্মানৰ সম্পূৰ্ণৰূপে যোগ্য নহলোঁ। আপোনাসকলে মোৰ সকলো ত্ৰুটী মাৰ্জ্জনা কৰিব।

আপোনাসকলক মোৰ সৰহ কথা জনাবলৈ নাই। গোলাঘাট মহকুমাৰ কোঁচকুলীয়া ৰাইজসকলৰ সজ উদ্যমত মোৰ পূৰা সহানুভূতি জনাইছোঁ। তাৰ বাহিৰে আপোনালোক জনা-বুজা লোকক, এনে সমাজত আৰু কিবা কৈ দীঘল বক্তৃতা দিয়াৰ কোনো সকাম নাই। কোঁচ ৰাইজৰ উন্নতি সাধিবলৈ কি কি কৰাৰ প্ৰয়োজন তাক ভাবি চিন্তি আলোচনা কৰি স্থিৰ কৰাটো কোঁচৰ ভিতৰৰে মুখিয়াল মুখিয়াৰ নেতাসকলৰ হে কাম। এই গন্তেকীয়া সুযোগত মই তাক বহলাই বিবৰিবলৈ যোৱাৰ প্ৰয়োজনো নেদেখো আৰু তাক কৰিবৰ জোখাৰে মোৰ সময় আৰু সুযোগ্যতাও নাই। তথাপি দু-আষাৰ কিবা কবৰ মন আছিল যদিও লাগতিয়াল কথা জুকিয়াই লবলৈ আপোনাসকলে মোক সমূলি সময় নিদিলে। সেই গতিকে মই মাথোন আষাৰদিয়েক অতি সাধাৰণ কথাৰ বাজে আন একো কব খোজা নাই।

সকলো জাতি বা সকলো সম্প্ৰদায়ৰে উন্নতি হবলৈ হলে এটা পুৰণিকলীয়া গৌৰবময় ইতিহাস লাগে। সেয়ে থাকিলে বুপা-ককাৰ গৌৰব ৰাখিবলৈকে বুলি হলেও মানুহ দেশপ্ৰেমিক হয়; স্বজাতি আৰু স্বদেশলৈ মানুহৰ মৰম চেনেহ আৰু আপোন ভাব বাঢ়ে। আমাৰ কোঁচ সম্প্ৰদায়ক অতীতৰ এই গৌৰব সম্পদত নথৈ চহকী বুলিব লাগে। অসমদেশত কোঁচ জাতিৰ গৌৰবপূৰ্ণ পুৰণি ইতিহাস আছে। অসমত কোঁচ একালত বৰ পৰাক্ৰমী জাতি আছিল। অসমীয়া জাতিৰ ইতিহাসত কোঁচ সম্প্ৰদায়ে বহুমূলীয়া সমল দান কৰা আছে। কোঁচ অসমদেশৰ এঘৰ ঘাই মানুহ আৰু অসমীয়া সমাজৰ ৰাজহাৰৰ মাজ ছোৱা। কোঁচক এৰিলে অসম বুৰঞ্জীৰ গৌৰব কাহিনীৰ সমানে এফাল বাদ পৰিব।

পুৰণি কালত আমাৰ এই অসম দেশক কামৰূপ বুলিছিল। কামৰূপ এক ক্ষমতাশালী বিশাল ৰাজ্য আছিল। এই ৰাজ্য পূবে কৰতোৱা নৈৰপৰা দক্ষিণে বঙ্গ-উপসাগৰলৈকে জুৰি আছিল। বিষ্ণুপুৰাণত উল্লেখ আছে যে কামৰূপ ৰাজ্য কামাখ্যা পৰ্ব্বতৰপৰা কেউফালে ১০০ যোজন অৰ্থাৎ ৪৫০ মাইললৈকে বহল আছিল। এই বিবৰণ অতিৰঞ্জিত বুলি ধৰিলেও এই কথা থিৰাং যে পূৰ্ব্ববঙ্গ গোটেইখন, অসম আৰু ভোটান এই কামৰূপ ৰাজ্যৰ ভিতৰত পৰিছিল। কালমক্ৰত কামৰূপ ৰাজ্য লোপ হল, আৰু তাৰ পাচত ইয়াৰে এছোৱা কোঁচ জাতিয়ে বহু কাললৈকে পৰম পৰাক্ৰমেৰে শাসন কৰিছিল। তেওঁ-লোকৰ সুকীয়া ভাষা, সুকীয়া ধৰ্ম্ম আৰু সুকীয়া সভ্যতা আছিল। তাৰ পাচত তেওঁলোকে হিন্দুধৰ্ম্ম গ্ৰহণ কৰি কোঁচ বুলি এটা বেলেগ জাতি হৈ অসমীয়া হিন্দু সমাজত আজিলৈক সন্মানিত ঠাই অধিকাৰ কৰি আহিছে।

কোঁচজাতিটো এটা প্ৰাচীন জাতি। পুৰাণ আৰু যোগিনী তন্ত্ৰত এই জাতিৰ উল্লেখ আছে। কিম্বদন্তি আছে যে এই জাতিটো গুৰিতে দেৱদেৱ মহাদেৱৰ পৰা উদ্ভৱ হৈছিল। আৰু সেইবাবেই আজিলৈকে কোঁচক শিৱবংশী বোলে। কোঁচ ৰাজবংশৰ আদি পুৰুষ হাৰিয়া মণ্ডল। এওঁ বৰ্ত্তমান গুৱালপাৰ জিল্লাৰ মানুহ আছিল।

হাৰিয়াই হাজু নামেৰে এগৰাকী মানুহৰ হীৰা আৰু জীৰা নামেৰে দুটী ছোৱালী বিয়া কৰাইছিল। হীৰাৰ গৰ্ভত বিশু আৰু জীৰাৰ গৰ্ভত শিশু নামেৰে দুটি লৰা উপজিল।

বিশু বিষম সাহিয়াল আৰু প্ৰবল পৰাক্ৰমী পুৰুষ আছিল। কৰতোৱাৰ পৰা বৰনদীলৈকে এই ছোৱা দেশৰ সৰু সৰু ৰজাসকলক পৰাজয় কৰি, তেওঁ একছত্ৰী ৰজা হৈছিল। হিন্দুমতে বিশুৱে বিশ্বসিংহ আৰু শিশুৱে শিৱসিংহ নাম লৈছিল। বিশ্বসিংহ হিন্দুধৰ্ম্মৰ প্ৰবল পৃষ্ঠপোষক আছিল। তেওঁ নীলাচলত কামাখ্যা দেৱীৰ নকৈ দ'ল সজাই দিলে আৰু কান্যকুব্জ আৰু কাশী আদি ঠাইৰপৰা বহুত ভাল ভাল পণ্ডিত বামুণ তুলি আনি, নিজৰ দেশত মাটিবাৰী দি পাতি বহুৱাই লৈছিল। ভায়েক শিৱসিংহক যুৱৰাজ পাতি আৰু মেচবংশৰ ঘাই ঘাই বাৰঘৰ মানুহৰ বাৰজন সুদক্ষ পুৰুষ বাছি আনি মন্ত্ৰী সভা পাতি লৈ, কোঁচবিহাৰ ৰাজধনীৰ পৰা তেওঁ সুন্দৰৰূপে শৃঙ্খলা লগাই ৰাজ্য শাসন কৰিছিল। তেওঁৰ ১৮ জন পুতেক আছিল। তাৰ ভিতৰত মল্লদেৱ, শুক্লধ্বজ, নৰসিংহ আৰু গোহাঁইকমল, এই কেগৰাকীয়েই প্ৰধান।

মল্লদেৱ আৰু শুক্লধ্বজে কাশীত পঢ়ি থকা কালতে ইফালে বিশ্বসিংহ স্বৰ্গী হ'ল। আৰু নৰসিংহই পিতৃসিংহাসন অধিকাৰ কৰিলে। তেওঁলোক ঘূৰি আহি নৰসিংহক খেদাই পিতৃসিংহাসন উদ্ধাৰ কৰিলে। মল্লদেৱে নৰনাৰায়ণ নাম লৈ কোঁচ ৰাজ্যৰ ৰজা হ'ল আৰু ভায়েক শুক্লধ্বজক প্ৰধান সেনাপতিৰ বাব দিলে। এই শুক্লধ্বজেই বুৰঞ্জী-প্ৰসিদ্ধ মহাবীৰ দিগ্বিজয়ী চিলাৰায়। নৰসিংহ পলাই গ'ল আৰু পাচত তেৱেঁই ভোটান ৰাজ্যৰ ৰজা হলগৈ বুলি প্ৰবাদ আছে।

অলপ দিনৰ পাচতে আহোম স্বৰ্গদেৱ চুক্লেন্‌মঙ্গে সৈতে নৰনাৰায়ণৰ ৰণ লাগিল। এই ৰণত আহোমৰজা ডাঙ্গৰীয়াসকলৰে সৈতে নামৰূপৰ চৰাইখোৰোঙ্গলৈ পলাই গ'ল; আৰু কোঁচ সৈন্যই মহা আড়ম্বৰেৰে সৈতে গৰগাওঁ নগৰ অধিকাৰ কৰিলে। পাচত সন্ধি স্থাপন হৈ এই ৰণৰ অন্ত পৰিল। এই ৰণৰ আলমতে নৰনাৰায়ণ ৰজাই, ভায়েক গোহাঁইকমলৰ তত্বাৱধানত কোঁচবিহাৰৰ পৰা উত্তৰলক্ষীমপুৰৰ নাৰায়ণপুৰলৈকে ৩৫০ মাইল বাট জোৰাই বুৰঞ্জী-প্ৰসিদ্ধ "গোহাঁইকমল আলি" বন্ধোৱাইছিল। এই সুবিখ্যাত আলিৰ কোনো কোনো অংশ এতিয়াও বৰ্ত্তমান আছে।

দিগ্বিজয়ী মহাবীৰ চিলাৰায়ৰ বীৰত্বৰ বলত কোঁচ ৰাজ্যৰ প্ৰাদুৰ্ভাৱ শুক্লপক্ষৰ জোনৰ দৰে দিনক দিনে কলাকলে বাঢ়ি আহিবলৈ ধৰিলে। কচাৰী, মণিপুৰ, জয়ন্তীয়া, ত্ৰিপুৰা, শ্ৰীহট্ট, থৈৰান আৰু ডিমৰুৱা ৰাজ্যৰ ৰজাসকলে নৰনাৰায়ণক কৰভাৰ শোধাই, কোঁচ ৰাজ্যৰ বশ্যতা স্বীকাৰ কৰিলে। শেহত গৌৰদেশে সৈতে ৰণ লগাত চিলাৰায় ৰণত হাৰি কিছুদিনলৈ বন্দী হৈ আছিল। সেই ৰণতে মছলমান সৈন্যই ব্ৰহ্মপুত্ৰইদি উজাই আহি তেজপুৰ পালে। এনেতে জৰুৰী লেঠাত নিজ দেশলৈ উলটিব লগা হোৱা বাবে মছলমান সৈন্যই অসম এৰি ঘৰমুৱা হৈ ধাপলি মেলিলে। কিন্তু তেওঁলোকৰ সেনাপতি কালাপাহাৰে কামাখ্যাৰ আৰু হাজোৰ মন্দিৰ ভাঙ্গি-ছিঙ্গি চূৰ্ণাকৃত কৰি থৈ গ'ল। ইয়াৰ কিছুদিনৰ পাচত মোগল সম্ৰাটৰ গৌৰদেশে সৈতে ৰণ লাগিল। সেই ৰণত দিল্লীৰ সম্ৰাটৰ ফালে যুজিবলৈ গৈ, বসন্ত ৰোগত পৰি গঙ্গাৰ পাৰত চিলাৰায়ে তনুত্যাগ কৰিলে।

চিলাৰায়ৰ মৃত্যুৰ পাচত মহামতি নৰনাৰায়ণে কোঁচ ৰাজ্য দুভাগ কৰি পশ্চিমৰ ছোৱা নিজলৈ ৰাখিলে আৰু পূব ছোৱাত চিলাৰায়ৰ পুকেক ৰঘুদেৱক ৰজা পাতি দিলে। তেতিয়াৰে পৰা পশ্চিমৰ ছোৱা কোঁচবিহাৰ আৰু পূবৰ ছোৱা কোঁচ-হাজো নামেৰে জনাজাত হ'ল। ৰঘুদেৱৰ কোঁচ-হাজো ৰাজ্য গুৱালপাৰৰ পৰা গাৰো পৰ্ব্বতলৈকে জুৰি আছিল, আৰু আজিকালিৰ গুৱালপাৰ আৰু কামৰূপ জিল্লা মঙ্গলদৈ মহকুমাই সৈতে এই ৰাজ্যৰ অন্তৰ্গত আছিল। এই ঘটনা ইংৰাজী ১৫৮১ চনত ঘটিছিল।

প্ৰায় ৫০ বছৰ ৰাজত্ব কৰি ১৫৮৪ চনত নৰনাৰায়ণ ৰজা স্বৰ্গী হল। তেখেত বৰ বিদ্যোৎসাহী আৰু ধৰ্ম্মপৰায়ণ ৰজা আছিল। তেওঁৰ উৎসাহৰ গুণতে সম্প্ৰতি অসমীয়া সাহিত্যত থকা ভালেখিনি উৎকৃষ্ট পুথি লিখা হৈছিল।

তেওঁৰ সুশীতল আশ্ৰয়ৰ ছাঁ পায়েই মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে বহুত ধৰ্ম্মসাহিত্য লিখিব পাৰিছিল, পুৰোষোত্তম বিদ্যাবাগীশে ব্যাকৰণ প্ৰণয়ন কৰিছিল, আৰু অনন্ত কন্দলীয়ে শ্ৰীমৎ ভাগৱত পুথি অসমীয়ালৈ ভাঙ্গিছিল। কালাপাহাৰে ভঙ্গাৰ পাচত আজিকালি থকা কামাখ্যা দ'ল নৰনাৰায়ণেই আকৌ নকৌ নিৰ্ম্মাণ কৰাইছিল। কামাখ্যা মন্দিৰৰ ভিতৰত নৰনাৰায়ণ আৰু চিলাৰায়ৰ শিলৰ মূৰ্ত্তি কাটি থাপি থোৱা আছে আৰু শিলৰ ফলিত এই মৰ্ম্মেৰে লিখি থৈছে—ধনুৰ্ব্বিদ্যাত অৰ্জ্জুন আৰু দানত দধীচি আৰু কৰ্ণৰ দৰে, প্ৰজাবৎসল মল্লদেৱ ৰজাৰ জয় হওক। তেওঁ সৎগুণৰ সাগৰ সদৃশ, সৰ্ব্বশাস্ত্ৰত সুপণ্ডিত, চৰিত্ৰত বিতোপন আৰু ৰূপত কন্দৰ্পতুল্য। তেওঁ কামাখ্যা দেৱীৰ পৰম ভক্ত। তেওঁৰ মৰমৰ ভায়েক যশস্যাবিদিত মহাবীৰ দানত কল্পতৰু, দেৱীৰ মহাভক্ত শুক্লধ্বজে নীলাচল পৰ্ব্বতত দ'ম হৈ থকা শিলেৰে ১৪৮৭ শকত (অৰ্থাৎ ১৫৬৫ চনত) এই সুন্দৰ মন্দিৰ নিৰ্ম্মাণ কৰালে।

নৰনাৰায়ণৰ পাচত পুতেক লক্ষ্মীনাৰায়ণ কোঁচবিহাৰৰ ৰজা হল। এওঁৰ দিনতে ১৫৯৬ চনত কোঁচবিহাৰ ৰাজ্য মোগল সাম্ৰাজ্যৰ অধীন হয়। সেই কোঁচবিহাৰেই বাদ-খাচ্ গৈ, শেহত আজিকালি থকা সৰু কোঁচবিহাৰ ৰাজ্য-খনিত ৰৈছেগৈ। তাত আজিলৈকে নৰনাৰায়ণৰ নাতি-পুতিয়েই ৰাজত্ব কৰি আছে।

ৰঘুদেৱৰ ভাগত পৰা গুৱালপাৰৰ পৰা মঙ্গলদলৈকে এই ছোৱাক কোঁচ-হাজো বুলিছিল। ইয়াত কালাপাহাৰে ভাঙ্গি যোৱা হাজোৰ হয়গ্ৰীৱৰ দ'ল ৰঘুদেৱে আকৌ নকৈ সজালে। ৰঘুদেৱৰ পুতেক পৰীক্ষিত ৰজাৰ মৃত্যু হলত, তেওঁৰ ৰাজ্য মোগল সাম্ৰাজ্যত চামিল হ'ল। তেওঁৰ ভায়েক বলীনাৰায়ণে আহোম ৰজা প্ৰতাপসিংহৰ আশ্ৰয় ললেহি। ইয়াকে চেলু লৈ আবুবকৰে আহোম ৰাজ্য আক্ৰমণ কৰিলে। প্ৰতাপসিংহই মোগল সৈন্যক বিষম-ৰূপে হৰুৱাই খেদাই পঠালে, আৰু বলীনাৰায়ণক ধৰ্ম্ম নাৰায়ণ নাম দি আহোম শক্তিৰ তলতীয়াকৈ দৰঙ্গৰ ৰজা পাতিলে। এতিয়াও মঙ্গলদৈত এই ৰাজবংশৰ পৰিয়াল আছে। তাৰ বাজে বেলতলা আৰু বিজনী ৰাজ্যতো কোঁচ ৰজাৰ অঙ্গহী-বঙ্গহী আছে।

কোঁচ ৰজা লক্ষ্মীনাৰায়ণৰ জীয়েক সঙ্কলাক আহোম স্বৰ্গদেৱ চুখাম্‌ফাই বিয়া কৰাইছিল। তেওঁৰে আৰু এগৰাকী জীয়াৰীক বঙ্গদেশৰ শাসনকৰ্ত্তা ৰাজপুতবংশী মানসিংহ ৰজালৈ বিয়া দিছিল। কোঁচ ৰাজবংশলৈ অসমৰ ধৰ্ম্মগুৰু শ্ৰীশঙ্কৰদেৱৰ ঘৰৰ জীয়াৰী পৰিছিল। কোঁচ জাতিৰ অসমত কেনে প্ৰতাপ আছিল, আৰু কোঁচ জাতিয়ে অসমত কেনে ওখ ঠাই অধিকাৰ কৰি আহিছে তাক বুজাবলৈ আৰু সৰহ কথা কবৰ প্ৰয়োজন নাই।

ৰাইজসকল, সেইদিনলৈ চাওক আৰু আজিৰ দিনলৈ চাওক। কি ভয়ঙ্কৰ প্ৰভেদ! আজি "সেই ৰামো নাই, আৰু সেই অযোধ্যাও নাই।" কালৰ সোঁতত কোঁচশক্তি কেনিবা উটি গ'ল; কোঁচৰ সকলো সম্পদ, সকলো গৌৰৱ, সকলো পৰাক্ৰম অতীতৰ কাহিনী হৈ অকলমাত্ৰ ইতিহাসৰ পাততহে জিলিকি আছে। সি আৰু দুনাই উভতিবৰ আগন্তুক নাই। কোঁচবিহাৰৰ পৰা মঙ্গলদৈলৈকে আজিও কোঁচ-ৰাজবংশৰ নাতিপুতি আছে। কিন্তু, কোঁচৰ সেই বলবীৰ্য্য নাই, সেই পৰাক্ৰম নাই, সেই বিভৱ-সম্পদ নাই। আজিৰ কোঁচ এটা ক্ষমতাশালী জাতি গুচি এটা নিশকতীয়া জাত বা কুলত পৰিণত হল।

কোঁচ ৰাইজসকল, আপোনাসকল সেই মহিমা-মণ্ডিত কোঁচজাতিৰে সতিসন্ততি। নৰনাৰায়ণ আৰু চিলাৰায়ৰ শিৰে শিৰে যি কোঁচ তেজৰ সোঁত বৈছিল, আপোনালোকৰো গাই-গাই সেই তেজৰে এফেৰি নহয় এফেৰি ছাট্ আছে। পূৰ্ব্বপুৰুষসকলৰ বংশধৰ হৈ, তেওঁলোকৰ কীৰ্ত্তিস্তম্ভ পোহৰাই থাকিবৰ কাৰণে যথাসাধ্য যত্ন কৰাটো আপোনালোক সকলোৰে প্ৰত্যবায় থকা ধৰ্ম্মকাৰ্য্য নহয় নে?—আমি শ্ৰাদ্ধ কৰোঁ কি বাবে?—পিতৃৰ তৃপ্তি জন্মাবলৈ। তেনেহলে পিতৃপুৰুষসকলৰ তৃপ্তিৰ অৰ্থেই তেওঁলোকৰ সুনামৰ সন্মান ৰাখিবলৈ পুৰুষাৰ্থ কৰাটোও আপোনালোকৰ এটা ঘাই ধৰ্ম্মকাৰ্য্য। সেইদেখি নিজৰ পূৰ্ব্বপুৰুষসকলৰ গৌৰৱ ৰক্ষা কৰিবলৈ

আৰু তেখেতসকলৰ যোগ্য বংশধৰ বুলি লেখত পৰিবলৈ আপোনালোক কোঁচ সম্প্ৰদায়ৰ সকলো লোকে মুঠ বান্ধি একেগোট হওক, নিজৰ উন্নতি কৰক, দেশৰ উন্নতি কৰক। তাকে কৰিলেহে আপোনালোকক আগৰ কোঁচ জাতিৰ বংশধৰ বুলিলে শুওৱা হব।

ইয়াকে কৰিবলৈ আপোনাসকলৰ বহুত সুচল আছে। আপোনালোক পূৰ্ব্ব গৌৰবেৰে নথৈ চহকী। আপোনালোকৰ সভ্যতা কোনোবা কালৰে পৰা চলি আহিছে। আপোনালোক স্বাস্থ্যৱান কৰ্ম্মশীল পৰিশ্ৰমী মানুহ। কোঁচৰ ভিতৰত লেৰেলা-চেপেটা ৰুগীয়া-ঘুণীয়া মানুহ সৰহ নোলাব। আপোনালোক অসমদেশৰ মানুহ—যি অসমদেশৰ স্ত্ৰীস্বাধীনতা, বাল্যবিবাহ বৰ্জ্জন, বিধবা বিবাহ আদি অনুষ্ঠান আগৰে পৰা আপোনা-আপুনি চলি আহিছে। আনদেশত হলে এনেবিলাক পদ্ধতি চলাবলৈ নথৈ আন্দোলন কৰি মানুহে হাবাথুৰি খাই ফুৰিছে। আপোনালোক উত্তৰাধিকাৰী সূত্ৰে হিন্দু জাতিৰ অভসন জ্ঞান ভৰালৰ স্বত্বাধিকাৰী। আপোনাসকলৰ অতখিনি লাগতিয়াল সমল আছে—নাই মাত্ৰ একতা আৰু শিক্ষা।

সেইদেখি আকৌ কৈছোঁ, আপোনালোক একমুঠ হবলৈ শিকক। সকলোৱে গোট খাই একেচিতে শুধমনেৰে ৰাজহুৱা কাম কৰিবলৈ শিকক। সেয়ে নহলে, কোনো সম্প্ৰদায়, কোনো জাতি, কোনো দেশ কেতিয়াও উধাব নোৱাৰে। তাৰ লগে লগে সমাজত শিক্ষা বিস্তাৰ কৰিবলৈ সকলোৱে যি পাৰে যত্ন কৰক। লৰাছোৱালীবোৰক পঢ়াই-শুনাই লাগতিয়াল বনবাৰি শিকাই জগতত খুটি খাব পৰাকৈ কাটল কৰি তোলক। অকল স্কুলত লিখাপঢ়া কৰালেই নহব। আগলৈ দুখ কৰি খাব পৰাকৈ কিবা এটা জীৱিকাৰ উপায় শিকোৱাটোহে ঘাই কথা। মুঠতে লৰাছোৱালীক ইংৰাজী জনা "বাবু" নকৰি সঁচাসঁচি কামিলা মানুহ কৰিব লাগে। এটা কথা সকলোৱে মনত ৰাখিব যে আপোনালোকৰ উন্নতি আপোনালোকৰ নিজৰ হাতত। আপোনালোকে নিজে আগ নাবাঢ়িলে আপোনালোকক লোকে কোনেও তামোল গছত তুলি দিব নোৱাৰে। যুগান্তৰ প্ৰবৰ্ত্তক মহাত্মা গান্ধীয়ে যিবিলাক যুগান্তৰকাৰী শিকনি দিছে, তাৰ ভিতৰৰ ই এটা প্ৰধান শিক্ষা।

আৰু একেষাৰ মাত্ৰ কবলৈ আছে। ভাৰতবৰ্ষত ঘাইকৈ হিন্দু আৰু মছলমান দুজাতৰ মানুহ আছে। হিন্দুৰ ভিতৰতে আকৌ বামুণ-শূদিৰ কোঁচ-কলিতা আদি নানা তৰহৰ জাত আছে। সকলো জাতৰ মানুহে নিজ নিজ সম্প্ৰদায়ৰ বিশিষ্টতা ৰক্ষা কৰি, কিন্তু সৰু সৰু স্বাৰ্থ আৰু সঙ্কীৰ্ণতা এৰি দি, দেশৰ কথাত হিন্দু-মছলমান বামুণ-শূদিৰ স্পৃশ্য-অস্পৃশ্য সমূহে, মুঠ বান্ধি একেটা জাতি হৈ থিয় হব লাগে। তাৰ বাবেই ভাৰতবৰ্ষৰ সকলো মুখিয়াল আৰু চিন্তাশীল মানুহে দেহে-কেহে পুৰুষাৰ্থ কৰিছে। এতেকে নিজ সম্প্ৰদায়ৰ উন্নতিৰ অৰ্থে সকলোৱে যত্ন কৰিব লাগে। কিন্তু ক্ষুদ্ৰ সাম্প্ৰদায়িক সঙ্কীৰ্ণতাত লাগি, ভাৰতবৰ্ষৰ সমূহ ৰাইজৰ জাতীয়তা গঠনত কোনো প্ৰকাৰে বিঘিনি জন্মাব নালাগে। সকলো মানুহৰ পক্ষেই নিজ সম্প্ৰদায়ৰ উন্নতি কৰিবলৈ যত্ন কৰা কৰ্ত্তব্য আৰু অতি প্ৰশংসনীয় কাম। কিন্তু তাকে কৰিবলৈ গৈ দেশৰ আন আন সম্প্ৰদায়ে সৈতে বিৰোধ ঘটালে-ভয়ঙ্কৰ দেশদ্ৰোহ কৰা হব। অসমদেশৰ বামুণৰপৰা মিৰি দেউৰীলৈকে মিলি ভাৰতৰ আমি অসমীয়া জাতি; আৰু জগতৰ ভিতৰত হিমালয় পৰ্ব্বতৰপৰা কুমাৰিকালৈকে আৰু অসমৰ পৰা পঞ্জাবলৈকে সকলো ভাৰতবাসী গোট খাই আমি এক বিশাল ভাৰতীয় জাতি!—এই কথা সকলোৱে সদায় মনত ৰাখিব লাগে, আৰু দেশৰ আন সকলো সম্প্ৰদায়ে সৈতে মিলাপ্ৰীতিৰে উন্নতিৰ বাটত আগ বাঢ়িব লাগে। সেইদেখি মই আশা কৰিছোঁ আপোনালোকে নীচ স্বাৰ্থপৰতা, সাম্প্ৰদায়িক সঙ্কীৰ্ণতা আৰু আন কোনো সম্প্ৰদায়লৈ হিংসা বা খিয়াল যেন কেতিয়াও মনত সোমাবলৈ নিদিয়ে। কোঁচ ৰাইজৰ ন্যায়সঙ্গত আশা-অকাঙ্ক্ষা পূৰ কৰাত, প্ৰকৃত অভাৱ-অভিযোগ গুচোৱাত আৰু সৰ্ব্বাঙ্গীন উন্নতি সাধন কৰাত সহানুভূতি নথকা লোক শিক্ষিত মানুহৰ ভিতৰত যোধ কৰোঁ কোনো নোলাব।

এই সন্মিলন বহুদিনীয়া হওক, ইয়াৰ ফল অমৃতময় হওক, আপোনালোক দীৰ্ঘজীৱী হওক, কোঁচ সম্প্ৰদায়ৰ প্ৰকৃত উন্নতি হওক—জগদীশ্বৰৰ চৰণত ইয়াকে প্ৰাৰ্থনা কৰিছোঁ।

ইমানতে মোৰ কবলগীয়া কথাৰ শেষ কৰি, সভাৰ সকলোটিকে মই বিনয়েৰে নমস্কাৰ জনাইছোঁ।

চাকনৈয়া

গল্প— —শ্ৰীযুত মহীচন্দ্ৰ বৰা, বি-এল

বি-এ পাছ

পিতৃহীন পীতাম্বৰ যিদিনা অৰ্থনীতিৰ "অনাৰ্চ" পৰীক্ষাত প্ৰথম বিভাগত প্ৰথম ঠাই অধিকাৰ কৰি বি-এ ডিগ্ৰীৰে ঘৰলৈ উভতিল সেইদিনা গাৱঁত এফালে যেনেকৈ ধন্য ধন্য পৰিল, আনফালে তেনেকৈ পীতাম্বৰৰ সমনীয়া অনেক ডেকা লৰাই মাক-বাপেকৰ তিতা কঠুৱা মাতো শুনিব লগা হল। পিছদিনা পুৱাতে পীতাম্বৰৰ পঁজাত লেখত লব লগীয়া গাৱঁৰে পাঁচজনৰ পদধূলি পৰিল।

সৰুতে পঢ়াশালিত পীতাম্বৰক পঢ়োৱা পণ্ডিত পঞ্চাননে আহি আশীৰ্ব্বাদ দি কলে, "মই তেতিয়া নকৈছিলোঁ বোপাই একঠা মোকোলাব বুলি। ইমান দিনে শিক্ষকতা কৰিলো, বোপাৰ নিচিনা এনে চোকা বুধিৰ মনোযোগী ছাত্ৰ কিন্তু এজনো নেদেখিলোঁ।"

"ঠিক কৈছা পণ্ডিত! দিনে-ৰাতি কিতাপৰ পৰা মূৰ নোতোলা দেখি মই বোপাৰ মাকক কৈছিলোঁ—"পেহী! তোমাৰ এই লৰাই কিন্তু তোমাৰ ঘৰ পোহৰাব। ধাৰে ঋণে পঢ়োৱা। এই আভঁজাৰ কথাৰ ইফাল সিফাল নহল" বুলি হলধৰ হাজৰিকাই গোঁফ সিঞাৰিলে।

"শত্ৰুৰ মুখত ছাই দি এতিয়া আমাৰ বোপা হাকিম মুনচুপ হওক। বোপাৰ লাহবিলাহ চাবলৈ ককাইদেও আজি থাকিব লাগিছিল"—বুলি চক্ৰধৰে এটুপি চকুলো টুকিলে আৰু লগে লগে তেওঁৰ পুতেক বংশীধৰক মানুহ কৰিবলৈ পীতাম্বৰক গতালে।

"আমাৰ বংশত কিন্তু বোপায়েই মূধা ফুটালে দিয়া। সেই কথাকেহে মই আজি মনোহৰক কৈ আহিছোঁ। মনোহৰ সম্বন্ধত মোৰ ভাই হয়—কিন্তু সি মণ্ডলী বিষয়খন পায়েই আমাক নিচিনা হল। বোপাই কিন্তু কালি মোক দেখা পায়েই বৌৱেকৰ কথা সুধিলে, ঘৰৰ বা-বাতৰি খা-খবৰ সকলো ললে। বোপাৰ ভৰিৰ কেঞা আঙুলি এটাৰো সি যোগ্য নহয়—তাৰ এনে ফিতাহি!"—বুলি পীতাম্বৰৰ দূৰসম্পৰ্কীয়া ককায়েক কীৰ্ত্তিকান্তই নাক কোঁচালে।

"মনোহৰৰ কথা আৰু নকবা। সি মোৰ ছাত্ৰ হৈও মণ্ডল মোকৰল হৈয়েই মোৰ লগত মাটিৰ বিষয়ে গাওঁবুঢ়াৰ যিখন কন্দল লগালে তাক আৰু নাপাহৰো। দুটকি ৰূপ নোপোৱামানে মাটিখিনি জুখি সীমাটো দেখুৱাই দিবলৈকে তাক লৰাব নোৱাৰিলো। আগৰ দৰে লৰাবোৰৰ আৰু গুৰুভক্তি নাই। একেবাৰেই গুচিল" বুলি পণ্ডিত পঞ্চাননে এটা হিয়াভগা হুমুনিয়াহ কাঢ়িলে।

"অতি দৰ্পে হতা লঙ্কা হে—অতি দৰ্পে হতা লঙ্কা। চাই থাকিবা মনোহৰ যেনেকৈ গেলা গপত ওফন্দি গঙ্গাটোপটো হৈ পৰিছে দৰ্পহাৰী ভগৱন্তই তাৰ দৰ্প ছাৰখাৰ কৰেহে লাগে"—বুলি হাজৰিকাই মুখ সিকটালে।

শইকীয়াই কলে—"কালি আবেলি বোপাৰ বৰদেউতাকক পাই সুধিলো—"পিছে খুৰা, পীতাম্বৰ বি-এ পাছ কৰি আহিছে নহয়? আগৰ ভাবতেই থাকে নে? বোপাৰ বাপেকৰ লগত যি লগালে লগালে, এতিয়া মিলিজুলি থকাটোৱেই আমি ভাল দেখোঁ।" আও, মোৰ যেন নেলুতেই ধৰিবহি। চকু ঘোপা কৰি কলে—"পীতাম্বৰ বি-এ পাছ কৰি আহিছে ভাল হৈছে। তইঁতে ঢোল পিটি নাচগৈহঁক।" সকলো বুজিছোঁ, বুজিছা। বুঢ়াৰ চাগৈ পীতাম্বৰৰ উন্নতিয়ে ধান বনাদি বানিব লাগিছে। এনেটো চকুপোৰা পৰশ্ৰীকাতৰ বুঢ়া আৰু নাই। নিজৰ সাতোটা লৰা হল। গোট-গৰু। বোপাৰ শ্ৰীকেই বা সহে কেনেকৈ!"

মামলা-মোকৰ্দ্দমাত ৰাপ থকা লহৰে ইমান পৰে টলকা মাৰি মনোযোগেৰে সমজুৱাসকলৰ কথা-বতৰা শুনি আছিল। এইবাৰ সেহাই সেহাই মাত লগালে—

"কলিকতাৰ কথা শুনিলেই আমাৰ পেটতে হাত ভৰি লুকায় দিয়ক শইকীয়া। বোপাইঁতে পঢ়া "কালেজটো"ৰ মুধলৈ চালেই মূৰৰ পাগুৰি খহি যায় বোলে। এনে ভব্য-গব্য ঘৰ হেনো এই ভূ-ভাৰতত নাই। পঢ়োৱা পণ্ডিতবোৰো বোলে এটাইবোৰ ছাহাব। কিতাপৰ গোট নো কি দেখিব! একোখনি যেন দশম ভাগৱতহে। পঢ়ি পঢ়ি বোপাৰ চকু দেখা নাইনে কেনেকৈ কুমত সোমাইছে। সেইদেখিহে কৈছো বোলো আৰু পঢ়াৰ কাম নাই। বোপাই ভেকুলীৰ পিঠিত নোম গজালে। এতিয়া উকীল বালেষ্টৰ হৈ কোৰোণাৰে ধন চপাওক।" ভেকাহি মাৰি হাজৰিকাই কলে—"কি উকীলৰ কথা কৈছাহে! আজিকালি বুৰিয়ে বুৰিয়ে উকীল কাছাৰী ঘৰৰ বাকৰিত ভেকুৰিব লাগিছে। অঁ, মানো। আগৰ দিনৰ সেই লম্বোদৰ উকীলৰ দৰে উকীল হব পাৰিলে হয়। চকু পকোৱা-পকিকৈ কথাৰ আঁহ উলিয়াই জেৰাত সাক্ষীবাদীৰ ধাতু উকৰাইছিল নহয়! হাকিমবোৰেও থৰ লাগি হাতৰ বুঢ়া আঙুলি কামুৰি তেওঁৰ ছাৱাল-জবাব শুনি তবধ মানিছিল। কোনো এটা কথা তেওঁ কোৱাৰ বাহিৰে লিখিবলৈ গলেই মেজত ভুকু মাৰি সেইটো হব নোৱাৰে বুলি পোনেই হাকিমৰ কলমত ধৰিছিল, বুজিছা? এতিয়াৰ উকীলবোৰৰ গাত কিন্তু সেই তেজ নাই। হাকিম দেখিলেই মাৰ মৰা বোন্দাৰ নিচিনা হৈ বপুৰিহঁতে মেও মেও কৰিবলৈ ধৰে। সেইদেখি হে কৈছোঁ, বোপা হাকিম হওক।"

কীৰ্ত্তিকান্তই কলে—"মনোহৰ বৰকৈ চৰিছেহে হাজৰিকা। মোৰ মনেৰে বোপাই এই অঞ্চলৰ চবডেপুটি হাকিমৰ বিষয়খন লৈ তাৰ হুন তুলিব নোৱাৰিলে মিছা। কুকুৰ-ধূলি সি, তাৰ ফিতাহি নো চাবা কি! সি হেনো বোপাৰ নিচিনা বি-এ এম-এ পাছ কৰা অনেক লৰাই-পেটৰ :ভোকত কলমলাই ফুৰা দেখিছে। তাৰ কথাত গা মোৰ কিচকিচাই উঠে দিয়া।"

বেলি লাহ দিয়াতহে সকলোটি ঘৰাঘৰি গল।

সত্ৰাধিকাৰৰ সপোন

সিফালে কিন্তু পীতাম্বৰৰ বেলেগতীয়া বৰবাপেকে গালিত পুতেকহঁতৰ "ত্ৰিধগতি" কৰি কলে—"যাইক এতিয়া, পীতাম্বৰৰ ভৰিত দীঘল দি পৰগৈ। বাঘৰ পোৱালি হব লাগিছিলি বাঘ—হলিহঁক শিয়াল। এতিয়া পীতাম্বৰৰ চাপৰাছি হৈ জোতা চাফ কৰগৈ—টৌ মলগৈ।"

"টৌ মলিবলৈ বা মোৰ লৰাহঁত যাব কিয়?" ভিতৰৰ পৰা গৃহিণীয়ে মাত লগালে।

"হঞে, টপটপাই নাথাকিবি একা! মোৰ গাত কিবা বিচাট। তয়েই সিহতৰ মূৰ খালি। মোৰ লাহৰিহঁত মোৰ সোণাইহঁত বুলি সিহঁতক তুলি দি দি গোট-গৰু কৰিলি। কিয়, পীতাম্বৰৰ লগতেই তোৰ চেনেহিহঁত নপঢ়িছিল?"

"কাৰ লৰানো "ফেল" নহয়? এবাৰ দুবাৰ পৰীক্ষাত উঠিব নোৱাৰিলে বুলিয়েই কোনোবাই হে সিহঁতক আনি হালত লগাইছিল! ঘঁহি থাকিলে শিলো ক্ষয় যায়। বাছাহতক পঢ়াই থকা হলে শত্ৰুৰ মুখত ছাই দি সিহতো ভৰিৰ ওপৰত ভৰি তুলি একঠা খাব পৰা—দহজনক দিব পৰা হলহেতেন। আক্ৰোহীয়ে কেৱল টকাহে চিনিলে!"

"নিলাজৰ জীয়েক যাব দিছনে?" বুলি বুঢ়াই বুঢ়ীৰ ফালে চোচা লওঁতেই শুনিলে বাটতে তেওঁলোকৰ সত্ৰাধিকাৰ মহন্ত প্ৰভু অশ্ববাহনত প্ৰতীক্ষা কৰা বুলি। ব্ৰাহ্মণ-সজ্জন, দেৱ-দ্বিজ, গোসাই-মহন্তৰ প্ৰতি বুঢ়া বৰুৱাৰ অচলা ভক্তি। উধাতু খাই ওলাই আহি আথেবেথে বাহনৰ পৰা প্ৰভুক নমালে আৰু প্ৰভুৰ পাদপদ্ম ধুৱাই পৰম সন্তোষেৰে পাদোদক পান কৰি আৰু শিৰত সানি চাকলি-পীৰাৰ ওপৰত ৰঙা পঙা পাৰি উপবেশন কৰাই গলবস্ত্ৰ হৈ সাষ্টাঙ্গে প্ৰণিপাত কৰিলে।

"দিয়ন-থোৱনৰ শক্তি বঢ়াই গুৰুজনৰ প্ৰতি ভক্তি, অটুট ৰখাই বংশীবদনে সপৰিবাৰে কল্যাণ কৰক" বুলি মহন্ত প্ৰভুৱে বুঢ়া বৰুৱাৰ তপা মূৰত হাত দি আশীৰ্ব্বাদ দিলে।

প্ৰভুৰ আগমনত গাৱঁৰ দুই এজন ভকত-বৈষ্ণৱো বুঢ়া বৰুৱাৰ ঘৰত থুপ খালেহি। হাতযোৰকৈ আঠুকাঢ়ি বুঢ়াই সুধিলে—"প্ৰভুৰ প্ৰকাশৰ হেতু?"

অলপ পৰ ৰৈ মৌন হৈ বংশীবদনক সুৱঁৰি সত্ৰাধিকাৰ প্ৰভুৱে গহীনাই মাত লগালে—"আমাৰ আগমনৰ বিশেষ কাৰণ নাছিল। কালি ব্ৰহ্মমুহূৰ্ত্তৰ সময়ত স্বপ্নত মহাপ্ৰভু বংশীবদন প্ৰকাশিত হৈ কলে—"আমাৰ প্ৰতি

ভকত-বৈষ্ণৱসকলৰ উদাসীন ভাবে আমাক সন্তাপ দিছে। তোমাসাৰ মণিকূটত আমাক থাপিছা হয় কিন্তু আমাৰ কলেৱৰত বৃষ্টিকণিকা পৰি আমাক অশেষে কষ্ট দিছে। নাইনে আমাৰ প্ৰতি ভক্তিপৰায়ণ এনে লোক যি চিৰস্থায়ী-ভাৱে আমাৰ উৰ্দ্ধখণ্ড আবৃত কৰি আমাৰ বৃষ্টিপাতজনিত কষ্টৰ উপশম কৰিব পাৰে?" দেখিলোঁ,—মহাপ্ৰভুৰ নয়নকোণত অশ্ৰু-কণা। বদনত বিৰক্তিৰ ভাব। চাওঁতে চাওঁতেই মহাপ্ৰভুৱে ক্ৰোধবিকম্পিত হৈ সেই নৰসিংহৰূপী সংহাৰমূৰ্ত্তি ধাৰণ কৰিলে। শিষ্যপুত্ৰগণৰ অমঙ্গল আশঙ্কাত আমাৰ অন্তৰ কঁপি উঠিল।"

"আয়ুস," "আয়ুস" বুলি বুঢ়া বৰুৱাকে প্ৰমুখ্য কৰি উপস্থিত সকলোটি ভকত-বৈষ্ণৱে হা-হুমুনিয়াহ পেলাই সত্ৰাধিকাৰৰ আয়ে ফুলতোলা শ্ৰীমুখলৈ চাই সুধিলে—"পিছত?"

"পিছে প্ৰভুৰ সেই সংহাৰ মূৰ্ত্তি সম্বৰণ কৰিবলৈ অনেক স্তুতি-ভাগ জনোৱা হল। কাকুতি ঘোষা গাই মিনতি কৰা হল—প্ৰভু, অজ্ঞ আমাৰ শিষ্য-প্ৰশিষ্যসকল। আমাৰ মুখলৈ চাই নিজগুণে তুষ্ট হৈ তেওঁলোকক এইবাৰলৈ ক্ষমা কৰক। প্ৰভুৰ কষ্ট অপসৰণৰ উপায় বিহিলে আমি ভকত-বৈষ্ণৱসকলক আমাৰ শিষ্যপুত্ৰসকলক জনাব পাৰোঁ। আচম্বিতে মহাপ্ৰভু বংশীবদনে সংহাৰ মূৰ্ত্তি পৰিহাৰ কৰি সেই বিশ্ববিমোহন বংশীধাৰী মূৰ্ত্তি ধাৰণ কৰি মোহন মদিৰা মন্দ্ৰে বংশীধ্বনি কৰিবলৈ ধৰিলে। আহা! প্ৰভুৰ কি লীলায়িত ভঙ্গী! কি শ্ৰুতিমধুৰ বংশীস্বৰ! এই বংশীধ্বনিতেই এদিন যমুনা উজাই বৈছিল—এই বংশীধ্বনিয়েই গোকুলৰ গোপীসকলৰ অন্তৰত প্ৰেম-ভক্তিৰ প্ৰবাহ বোৱাই উন্মাদিনী কৰিছিল।—" ভাবাবেশত সত্ৰাধিকাৰৰ কণ্ঠৰোধ হল।

প্ৰভুৰ বদনৰ পৰা আকৌ বাণী ওলাল—"বংশী বদনে ঈষৎ হাস্য কৰি আমাক চিন্তা কৰিবলৈ বাধা দি আদেশি কলে—তোমাৰ প্ৰধান শিষ্য আমাৰ পৰমভক্ত বুঢ়া বৰুৱাৰ গৃহলৈ গমন কৰা। তেওঁ ইয়াৰ এটা সু-ব্যৱস্থা কৰিব। আমাৰ প্ৰতি তেওঁৰ অচলা ভক্তি আমাৰ বিদিত আছে। বৈকুণ্ঠপুৰীত আমাৰ নিচেই ওচৰতেই তেওঁৰ কাৰণে অপূৰ্ব্ব আৱাস নিৰ্ম্মাণ হব লাগিছে।"

বুঢ়া বৰুৱাই আঠুকাঢ়ি সত্ৰাধিকাৰ প্ৰভুক আকৌ এটি সেৱা জনালে।

পুনঃ প্ৰভু বংশীবদনে কলে—"পৃথিবীৰ মহাপাপীবোৰৰ অন্যায় অত্যাচাৰত আমাৰ শৰীৰত উত্তাপৰ মাত্ৰা বৃদ্ধি হৈছে। যোৱা—আমাৰ সেই পৰমভক্ত বৰুৱাৰ ভ্ৰাতৃ-নন্দন তোমাৰ শিষ্যপুত্ৰ পীতাম্বৰ বৰুৱাৰ গৃহলৈ। তেওঁ নানা বিদ্যা অৰ্জ্জন কৰি আঢ্যৱন্ত হৈও আহিছে। তেওঁৰ গৃহত কিন্তু এটা বিসঙ্গতিয়ে দেখা দিছে। তেওঁৰ এজনী পয়স্বিনী গাভীয়ে গোহালিৰ মধ্যস্থলৰ খুটাত নেজ মেৰিয়াই গৃহস্থৰ অমঙ্গল চিন্তিছে। সেই গাভীৰ দুগ্ধেৰে আমাৰ শৰীৰ প্ৰক্ষালন কৰিলে তেওঁৰো সৰ্ব্বতোভাৱে মঙ্গল হব আৰু আন্তৰিক উত্তাপ, গাত্ৰ-প্ৰদাহৰ পৰা আমিও ৰক্ষা পাওঁ।"

আতৈ আত্মৰামে কলে—"ঠিক, মোৰ প্ৰভু বংশীবদনে ঠিকেই কৈছে। পৰহি গধূলা পৰত পীতাম্বৰো কলিকতাৰ পৰা আহি ঘৰ সোমাইছেহি—সিফালে তেওঁলোকৰ সেই দুলৰ দিয়া গাইজনীয়েও গোহালিৰ মুধৰ বৰটো খুটাত নেজ মেৰিয়াইছে। দেখিয়েই মই পীতাম্বৰক কলোঁ—"বোপা! গোসাঁইলৈ গাইজনী আগ কৰক।" তেওঁ হাঁহি হাঁহি মোৰ কথা উকৰাই দিলে। পিছত আমাৰ গোসাই প্ৰভুসকলৰ প্ৰতি যি আষাৰ হে কলে, ইস্! ইস্! শুনিয়ে গা মোৰ জিকাৰ খাই উঠিল। ভূমি ছুই কাণত মই আঙুলি বটিয়ালোঁ। মহাপুৰুষ গুৰুজনে জানো পাৰোঁতে ভণি গৈছে—কলিৰ শেষত হৈবে কল্কি অৱতাৰ। কাটি ছিঙি ম্লেচ্ছক কৰিবে বুন্দামাৰ।—আমাৰ বুঢ়া বৰুৱাৰ বংশত এনে মেলেছৰ জন্ম হব বুলি ভবাই নাছিলোঁ।"

"শুনক আতৈসকল! অৱধান কৰক। বংশীবদনৰ বাক্য অনুসৰি আজি আমি আহি তেওঁৰ পদূলি মূৰত ৰৈ তেওঁলৈ সন্দেশ পঠোৱা হল। প্ৰায় দুই দণ্ডকাল সেই প্ৰখৰ ৰৌদ্ৰতাপতে আমাক দগ্ধ কৰাই ৰাখি ওলাই আহি আমাৰ আগমনৰ প্ৰয়োজন কি উদ্ধতভাৱে সুধিলে!

আমাক এটি সেৱা জনাবলৈকো আমাৰ শিষ্যপুত্ৰৰ হাত আগ নাবাঢ়িল। মূৰ দোঁ নাখালে। গীতাত প্ৰভু ভগৱন্তই গাইছে—বিদ্যা দদাতি বিনয়ম্। পিছে পীতাম্বৰ বিনয়ী হওক ছাৰি, তেওঁ আমাক নানা কটু-কাটব্যহে শুনালে। বুজিলো, ব্ৰাহ্মণ-সজ্জন গুৰু-গোসাইৰ প্ৰতি ভক্তিহীন হবলৈহে তেওঁ শিক্ষা লভি আহিছে।"

অলপ পৰ বৈ মুখৰ ঘামবোৰ খনীয়াকাপোৰৰ আঁচলেৰে মচি নিৰ্ব্বিকাৰ চিত্ত হৈ সত্ৰাধিকাৰে আকৌ কথামৃত বৰষিবলৈ ধৰিলে—"এৰা, আমাৰ জীৱনত আমি এনে কঠোৰ বাক্য শ্ৰৱণ কৰা নহৈছিল। সকলো মোৰ প্ৰভু বংশীবদনৰেই লীলা। আমি তেৰাৰ কিবা সেৱা চুৰ কৰিছিলোঁ—অপৰাধী জীৱ। আমি হুনো প্ৰবঞ্চক, ভণ্ড। আমি হুনো দেশৰ কণ্টক,—উন্নতিৰ অন্তৰায়। আমি বোলে ধৰ্ম্মৰ তত্ত্ব নুবুজোঁ—শাস্ত্ৰৰ মৰ্ম্মাৰ্থ গ্ৰহণ কৰিবৰ বিদ্যা হুনো আমাৰ নাই। প্ৰবঞ্চনা কৰি হুনো পীতাম্বৰৰ সবৎসা গাভী আমি আমাৰ কাৰণে নিবলৈ আহিছো।"

"হুঃ, দুটা ইংৰাজী শিকিয়েই পীতাম্বৰে মাটিত ভৰি নোথোৱা হৈছে। সি মেলেছে বুজিব কেনেকৈ, কি পুণ্যৰ ফলত আমাৰ জগন্নাথে সত্ৰাধিকাৰৰ সাত্বিক পদত বহি দহজনক ধৰ্ম্ম বিলাইছে। বেজাৰ অসন্তোষ নকৰিব প্ৰভু।" বুলি উপস্থিত সকলোটিয়ে প্ৰভুক সান্ত্বনা দিলে।

"আমাৰ বেজাৰেই বা কি—অসন্তোষেই বা কি? আমি হলোঁ সেইবোৰৰ বাহিৰত। এনে উদ্ভণ্ডালি কিন্তু ধৰ্ম্মই নসহিব। মহাপ্ৰভু বংশীবদনে ইয়াৰ প্ৰতিকাৰ অৱশ্যে কৰিব। গুৰু-গোসাইক নিন্দিয়েই বা কোনে কেই কাল খাব? বুজিছোঁ—পীতাম্বৰৰ অধোগতিৰ আৰু বেছি দিন নাই।"—চকু মুদি যোগীবৰ সত্ৰাধিকাৰ ধ্যানস্থ হ'ল।

পীতাম্বৰৰ বৰবাপেকৰ সোতোৰা মুখত হাহি বিৰিঙি বিয়পি গল। উপস্থিত ভকত-বৈষ্ণৱসকলে বুজি ললে প্ৰভুৰ শাপত পীতাম্বৰৰ পীৰি উঠিবৰ দিন ওচৰ চাপিছে। মালাগুটি জঁপি জপৰাই মাত লগালে—"আমাৰ বুঢ়া বৰুৱাই পীতাম্বৰৰ ভেটি-মাটিবোৰ লীলামত কিনি নোলোৱা হলে বপুৰাইতৰ ঘৰৰ ভেটিত ইমানদিনে তিতালাউ গজিলহেঁতেন। বাপেক চাই হে পোৱালী মোৰ প্ৰভুসকল। হৰিভকতৰ মনত থাকিব পাৰে—তাৰ বাপেকে মৰিবৰ আগতে সেই পকাথেকেৰা যেন বুঢ়া বামুণজনক কেনেকৈ কেটেৰা-জেঙেৰা মাৰি ঘৰৰ পৰা উলিয়াই খেদিছিল? পিছে কেইদিন টিঘিল ঘিলালে? বামুণৰ শাওত তাৰ দুমাহৰ মূৰতেই জিভাত ঘা হৈ দাঁত নিকটালে। ধৰ্ম্মস্য সূক্ষ্ম গতি—অধৰ্ম্মস্য অধোগতি, কলোঁ।" পীতাম্বৰৰ আলোচনাতে আৰু কিমান সময় ভকত-বৈষ্ণৱ সকলৰ গল হেতেন কব নোৱাৰোঁ কিন্তু পীতাম্বৰক তেওঁলোকৰ ওচৰেদিয়েই গৈ বৰবাপেকৰ ঘৰৰ ভিতৰ সোমোৱা দেখি সকলোটিৰে মুখৰ মাত হৰিল।

আতৈ আত্মৰামে জপৰা ভকতৰ ফাললৈ চাই ভুন-ভুনাই কলে—"পীতাম্বৰৰ প্ৰতাপ দেখিলা? আমাৰ জগন্নাথৰ আগেদিয়েই কেনেকৈ চট্‌চটাই চটি জোতা কোবাই গল। তেজৰ বল হে—তেজৰ বল।"

সত্ৰাধিকাৰ প্ৰভুৱে শিষ্যপুত্ৰ বৰুৱাৰ পৰা বংশীবদনৰ চিৰস্থায়ী মণিকূটৰ কাৰণে যথোপযুক্ত মূল্য উলিয়াই আনন্দমনেৰে ঘোঁৰাত উঠি প্ৰস্থান কৰিলে।

পিছদিনা পীতাম্বৰৰ মাকে নীতি-নিয়ম নজনা গাত কথা নপৰা পীতাম্বৰৰ দায়দোষ মৰিষণ কৰিবলৈ কাকুতি জনাই অৰ্থদণ্ডেৰে খুটাত নেজ মেৰোৱা গাইজনী দামুৰি সহ বংশীবদনৰ গাত্ৰদাহ নিবাৰণৰ কাৰণে সত্ৰাধিকাৰৰ ওচৰলৈ পঠাই দিলে।

দৃষ্টিসৃষ্টি

সাদিনৰ দিনা আবেলি জলপানৰ বাটি সজাই পীতাম্বৰৰ আগত দি মাক ওচৰতে বহিল। পীতাম্বৰে হাঁহি হাঁহি কলে "আই তুমি নিচেই আজলী। সেই হেন গৰুজনীহে তুমি গোসাইক দিব পোৱানে? আজিকালি গোসাই মহন্ত···।"

বাধা দি মাকে কলে—"মাপায়ে বোপা, তেৰাসৰৰ বিষয়ে চৰ্চ্চা কৰিবলৈ। হওক হওক, তোৰে মাথোন

মঙ্গল হওক। বংশীবদনে মোৰ মূৰৰ চুলিৰ সমানে তোৰ আয়ুস কৰক। এতিয়া তোক কাম-কাজ এটাত ধৰা দেখিলেই আৰু তোৰ ঘৰখন পাতি বোৱাৰীৰ হাতত গতাই যাব পাৰিলেই হাঁহি হাঁহি মই চকু মুদিব পাৰোঁ।"

"মৰম কৰি কৰি আমনি লাগিছে আই?" হাঁহি হাঁহি পীতাম্বৰে সুধিলে।

"কিয় এনে কথা কৱ বাছা? তই মোৰ কি হৱ তই কি বুজিবি? আজি তোৰ দেউতাৰ থাকিব লাগিছিল।" বুঢ়ীৰ চকুলো ওলাই গালেদি বৈ গল। মাত থোকাথুকি হল। পীতাম্বৰৰ চকুও সজল হৈ পৰিল।

বিহাৰ আঁচলেৰে পুতেকৰ চকুলো মচি মূৰত আঙ্গুলি বোলাই মাকে কলে—"বাছা, বেজাৰ নকৰিবি। তেওঁৰ পুণ্যৰ বলতেই আজি তোৰ এই শ্ৰী দেখিবলৈ পাইছোঁ। নহলে তোৰ এই দুখুনী বাঁৰী মাৰৰ তোক মানুহ কৰাৰ সমলেই বা আছিল কি! ময়ো যে আৰু বেছি দিন জীয়াই থাকি তোৰ লাহ-বিলাহ চাবলৈ পাম তাৰ আশা নাই। কালি শ্ৰুতিকৰে পাঁজি চাই কলে গৰুৱে খুটাত নেজ মেৰোৱাৰ ফলত গৃহস্থৰ মূলমানুহজন হানি হব লাগে বুলি।"

"আয়ো ভাল, যাৰে তাৰে কথাকে সাৰোগত কৰি লোৱা।"

"পুথি-পাঁজিৰ কথা নফলিৱাকৈ নাথাকে বাছা। সেই দেখি অহা বহাগতেই তোৰ বিয়াখন পাতিবৰ মন কৰি মিনতিৰ মাকলৈ খবৰ দিছোঁ। মিনতিৰ দেউতাক বৈকুণ্ঠী হবৰ সময়ত মোক মাতি নি মিনতিৰ হাত দুখন মোৰ হাতত তুলি কৈছিল—বৰ আশা কৰিছিলোঁ পীতাম্বৰ বোপাৰ হাতত মিনতিক নিজে গতাই যাব পাৰিম বুলি। বিধিয়ে আশা পূৰ নকৰিলে।"

অলপ পৰ বৈ মাকে আকৌ কলে—"বাছা, মিনতিৰ দেউতাক তোৰ কি আছিল তই লাহে লাহে বুজিবি। তোৰ দেউতাৰ ঢুকালত মই সংসাৰ আন্ধাৰ দেখিলোঁ। তোক কেনেকৈ মানুহ কৰিম ভাবি বিতত হলো। সেই সময়ত মিনতিৰ দেউতাকে আহি সান্ত্বনা দি কলে "চিন্তা নকৰিব। বপাক মানুহ কৰাৰ ভাৰ মই ললো। সেই দেৱতাৰেই চেষ্টাত তেওঁৰেই সহায়ত আজি তোৰ এই উন্নতি।" হিতৈষী বন্ধুৰ প্ৰতি ভক্তিত অতৰ্কিতে মাতা-পুত্ৰৰ মূৰ দোঁ খাই গল।

"কালিলৈ পালনাম এফেৰি পাতিবলৈ মন কৰিছোঁ। সেৱালৈ মিনতি আৰু মিনতিৰ মাককো মাতি পঠাইছোঁ। এই আহি পায়হিহে লাগে।"

"আয়ে দেখিছো মোক একো জানিবলৈ নিদিয়াকৈয়ে বিয়া ঠিক কৰি লয়!"

"তোক—পেটৰ পোৱালীক আকৌ সুধিব লাগে কি? কামে-কাজে বোৱাই-কটাই মিনতিৰ দৰে চাবতীয়াল ছোৱালী আৰু নাই। দিনটো কামত টাকুৰী ঘূৰাদি ঘূৰিও আমনি নাপায়, মুখত সদায় হাঁহি লাগি আছেই। লখিমী ছোৱালী।"

"আয়ে মিনতিৰ গুণ কৈ চতুৰ্ম্মুখ বুঢ়া ব্ৰহ্মাকো আজি চেৰ পেলাইহে এৰিবা যেন পাইছো। তোমাৰ যি ইচ্ছা হয় কৰা।" বুলি উঠি ঘূৰোতেই দুৱাৰদলিত মিনতিৰ মাকে সৈতে মিনতিক দেখি লাজত পীতাম্বৰৰ মুখ ৰঙা পৰিল।

মাকে আথেবেথে আদৰি মিনতি আৰু মাকক বহালে।

মিনতিৰ প্ৰেম-কৰুণ দৃষ্টিয়ে, উচ্ছ্বসিত যৌৱনৰ প্ৰস্ফুটিত সৌন্দৰ্য্যই পীতাম্বৰৰ প্ৰাণত প্ৰেমৰ প্ৰবাহ বোৱাই তেওঁক এক মধুময় কল্পলোকলৈ টানি নি চঞ্চল কৰি তুলিলে। অৰ্থনীতিৰ নিৰ্ম্মম কঠোৰ সূত্ৰবোৰৰ মাজেদি তেওঁৰ প্ৰেমকবিতাই ভুমুকিয়াই তেওঁৰ অন্তৰ এক অবৰ্ণনীয় আনন্দ ৰসত আপ্লুত কৰিলে।

সেই দিনাই ৰাতি পীতাম্বৰে "যৌৱন-জোৱাৰ" নামে এটি কবিতা লিখি "বিচিত্ৰালৈ" পঠাই দিলে।

কেণ্ডিডেটৰ লিষ্ট

"বুজিছে ৰায়বাহাদুৰ! আমাৰ সেই ৰাস্কেল জোৱাইৰ আক্ৰোশত আমাৰ তিষ্ঠাই টান হৈ পৰিছে।" লয়েলিষ্ট লীগৰ প্ৰধান সম্পাদক "এৰিষ্টক্ৰেট" ৰায়বাহাদুৰ ভৈৰৱচন্দ্ৰ কাগ্‌তীৰ ফালে চাই তেওঁৰেই সহকাৰী ৰায়ছাহাব ৰুচিপৰায়ণ ৰাজখোৱাই কলে। "আপুনি কৈছিল নহয়

আজিকালি উকীলৰ "ফিল্ড" অনেক। আপোনাৰ কথা-মতেই উকীল জোৱাই বাছি ছোৱালী গতালোঁ। কিন্তু বাছাৰ আজি পাঁচ বছৰে বোলে পাঁচটকিও উপাৰ্জ্জন নহল। চিঠি দি আজি আকৌ জনাইছে মাহে কমপক্ষেও দুশ টকা দি থাকিব লাগিব বুলি। নৱাব-পুত্ৰৰ হুকুম তামিল কৰিবলৈ গৈ এতিয়া ভেটি-মাটিও ৰাখিব নোৱাৰাত পৰিমগৈ যেনহে পাওঁ।"

হাঁহি হাঁহি ৰায়বাহাদুৰে কলে—"জোৱাইবোৰ এবিধ গ্ৰহবিশেষ নহয় নে ৰাজখোৱা?"

"ঠিক কৈছে ৰায়বাহাদুৰ! আমাৰ শাস্ত্ৰত আমি নটাহে গ্ৰহ পাইছিলোঁ। এতিয়া আৰু এটি গ্ৰহ যোগ দিব লগাত পৰিছে। এই দশম গ্ৰহৰ প্ৰকোপ কিন্তু অতি প্ৰবল। যাৰ ওপৰত তেওঁৰ বক্ৰ দৃষ্টি পৰে তেওঁৰ আৰু ৰক্ষা নাই।" বুলি নিজৰ ৰসিকতাতে ৰাজখোৱাই ভেক্‌ভেক্‌কৈ হাঁহিবলৈ ধৰিলে।

"এতিয়াও কওঁ হে ৰাজখোৱা, উকীলৰ "ফিল্ড" অনেক। ভাৰতৰ প্ৰধান বিষয়াসকলৰ প্ৰায়বিলাকেই গুৰিতে উকীল, বুজিছা? এই আমাৰ অসমলৈকে নোচোৱা কিয়? দুয়োজনা মন্ত্ৰীয়েই তো উকীল। এই ওকালতিৰ বলতেই অনাৰেবোল ছাৰ ছৈয়দ ছাদুল্লা আজি আমাৰ অৰ্থসচিব। পিছে তোমাৰ দশম গ্ৰহ জোৱাই পুঙ্গৱ হল ননকোঅপাৰেটৰ। নেদেখিলা সিদিনা তাৰ কথাৰ ঠাঁচ। ছাৰ্ভিচৰ চেষ্টা কৰিবলৈ কোৱাত জাপ মাৰি উঠিল। আৰে বাপু, শক্তি অনুযায়ীহে ভক্তি। লাগ বুলিলে দহলাখ টকা যদি উলিয়াই দিব পাৰ লাগ দেশৰ কামত। ইফালে লৰা-ছোৱালী তিৰোতাৰ হাতত মুখত দিবলৈ যাৰ সংস্থান নাই তাৰ মুখত দেশ উদ্ধাৰৰ কথা শুনিলে গা জিকাৰি উঠে। হিজ এক্‌ছেলেঞ্চিৰ লগতো মোৰ সেই দিনা এইবোৰ কথাই হৈছিল।"

"ৰায় বাহাদুৰক আৰু ৰায়বাহাদুৰৰ ধন সোণক কেন্দ্ৰ কৰি এক প্ৰবল দশম গ্ৰহ ঘূৰিবৰ আগন্তুক মিলিছে। পিছে আমাৰ আইদেও মেৰীক আৰু পঢ়ায়েই থাকেনে?"

মেৰী ৰায়বাহাদুৰৰ একমাত্ৰ কন্যা। এইবাৰ কলিকতাৰ বেথুন কলেজৰ পৰা আই-এ পাছ কৰি আহিছে। আচল অসমীয়া নাম তেওঁৰ কিবা আছিল যদি নাজানো।

"মন আছিল বি-এলৈকে পঢ়াবলৈ। হাৰ এক্‌ছে-লেঞ্চিয়েও তাকেই কৈছিল। মাকে কিন্তু বিধিপথালি কৰিছে। আজি সাদিনমানৰ পৰা দৰা বিচাৰিবলৈ কৈ মোৰ গাৰ গোসাই খেদিছে, ৰাজখোৱা।"

"কেণ্ডিডেটৰ লিষ্ট তৈয়াৰ হৈছেনে নাই?"

"পাঁচজনৰ নাম সম্প্ৰতি মোৰ লিষ্টৰ ভিতৰত পৰিছে। প্ৰথম, শিৱসাগৰৰ শক্তিনাথ ফুকন এম-এ বি-এল। ব্যৱসায় ওকালতি।"

"উকীল শক্তিনাথক পোৱা হলে ডিঙিত ধৰি তেওঁৰ শক্তি পৰীক্ষা কৰিলোঁহেঁতেন। শক্তিনাথক গতিয়াই খেদক। আজিকালি উকীলৰ নাম শুনিলেই মোৰ পিত্ত উজাৰ খাই উঠে ৰায়বাহাদুৰ!"

"লৰাজন হলে বিদ্বান আছিল। মাকে মন নেমেলে, আৰ্থিক অবস্থা একেবাৰেই হীন। দ্বিতীয়জন হল গুৱাহাটীৰ ডাক্তৰ কাৰ্ত্তিকচন্দ্ৰ তালুকদাৰ এম্-বি, ডি-পি-এইচ, এট্‌চেট্ৰা। ৰূপত কিন্তু কাৰ্ত্তিক গোটেই অপজিত, ডাঢ়িয়ে-গোঁফে ভোবোকাৰ। মেৰীয়ে মুখ ঘূৰাবই। ফৰমাছ, মেৰীক বিয়া কৰাই আমাক উদ্ধাৰ কৰিব লাগিলে কমপক্ষেও কুৰিহেজাৰ টকাৰ ঔষধ-পাতিৰে কাৰ্ত্তিক বোপাক এটা ফাৰ্ম্মেচিও খুলি দিব লাগিব।"

"বুজিছো অপাৰেছন ছাক্‌চেছফুল—কিন্তু "পেচেণ্ট ডাইড"ৰ দলৰ মোৰ গুণনিধি কাৰ্ত্তিকচন্দ্ৰই ময়ূৰ সিংহাসনকো সময়ত বিচাৰিব। তেওঁৰ কেণ্ডিডেচাৰ চামেৰিলি ৰিজেক্টেড। কওক, তৃতীয়ৰ নাম শুনি জন্ম সাৰ্থক কৰো।"

"গোলাঘাটৰ আমাৰ সেই ৰায়বাহাদুৰ ধৰণীধৰ দত্তৰ পুতেক মুক্তিনাথ দত্ত। চাহ বাগিছাৰ মালিক। ধন-দৌলত অনেক। দেখাতো বেয়া নহয়। কিন্তু বিদ্যাত হল ধুৰন্ধৰ। মেট্ৰিক ফেল। গৃহিণীৰ মন থাকিলেও কোন সতেৰেনো বাৰু মই আই, এ পাছ কৰা ছোৱালীক মুক্তিনাথক গতাওঁ?"

"বুজিছে ৰায় বাহাদুৰ, মাকবোৰক লাগে মাথোন

ধন-সোণেৰে গহনা-পাতিৰে ছোৱালীক পুতি পেলাব পৰা জোৱাই। মোৰ মনেৰে মুক্তি বোপাক বিয়া পাছ কৰাৰ আগতে বি, এ পাছ কৰিবলৈ উপদেশ দি মুক্তি দিয়াই ভাল। নহলে "মঙ্ক"ৰ ফেমিনিন্ "মঙ্কি" বুলি কৈ ছাহাব-ছুহাবৰ আগত মেৰীক লাজত পেলাব। পিছে চতুৰ্থ চন্দ্ৰ?"

"তেজপুৰৰ তীৰ্থনাথ তামুলী। ইঞ্জিনিয়াৰিং কলেজৰ গ্ৰেজুৱেট্। চাকৰী পোৱাৰ আশা নাই। অভাৰেজ। বিলাতত পঢ়িবৰ কাৰণে ছোৱালীৰ লগতে অন্ততঃ ষাঠিটি হেজাৰ চিকা ৰূপ গণি গণি তেওঁলৈ পঠাব লাগিব।"

ৰাজখোৱাই কলে—"মোৰ মুখত আৰু কিবা হে ওলাব এতিয়া। তামুলী বোপাক তাৰ কাণ মলি বিয়াৰ আৰু বিলাত যাত্ৰাৰ আগতে দণ্ড-কমণ্ডলু লৈ তীৰ্থ ভ্ৰমণ কৰিবলৈ ময়েই কৈ আহোঁ গৈ।"

"তোমাৰ পঞ্চম হল—ডিবৰুৰ দিগম্বৰ বৰা। লেখক হুনু। যোৱা বাৰ সাহিত্য সভাৰপৰা সাহিত্য-শিৱাজী নে কি উপাধিও পাইছে। পিছে নামতেই বুজিছা—নিচেই ছালছিগা।"

"হাছ্! শাস্ত্ৰকাৰ সকলে মিছাতে গোৱা নাই ৰায়বাহাদুৰ—

কন্যা বৰয়তি ৰূপং মাতা বিত্তং পিতা শ্ৰুতম্।

বান্ধবাঃ কুলমিচ্ছন্তি মিষ্টান্নমিতৰে জনাঃ।

আপোনাৰ মুখত সাহিত্যিক বৰাদেওৰ "বিতিকিৎসা" নাম শুনিলে মিছেজ কাগ্‌তীয়ে কিন্তু শুদাই নেৰিব। তেতিয়া আৰু আপোনাৰ ৰাজখোৱাই আপোনাক ৰক্ষা কৰিব নোৱাৰিব। সাহিত্য-শিৱাজী দিগম্বৰ বাবাজীয়ে পাৰে যদি আন কোনো দিগম্বৰী "সাহিত্যিকাৰ" হিয়া-দুৰ্গ দখল কৰক—তাত মই "ৰেজিষ্ট" নকৰোঁ।"

অলপ পিছত এহতীয়া ডাঢ়িৰ আগবোৰ মোহাৰি মোহাৰি ৰাজখোৱাই আকৌ মুখ মেলিলে—"ৰায়বাহাদুৰৰ কিন্তু এটা মস্ত নোকোহা ভুল দেখি মই আচৰিত হৈছোঁ।"

আগ্ৰহেৰে গোঁফত তাও দি ৰায়বাহাদুৰে ৰাজখোৱাৰ ফালে চাই পঠালে।

"আমাৰ এই জিলাৰে পীতাম্বৰ বৰুৱাৰ নাম ডাঙৰীয়াৰ লিষ্টিত নপৰা নিতান্ত অন্যায়। ইকনমিক্‌ছৰ অনাৰ্ছত ফাষ্ট ক্লাছ ফাৰ্ষ্ট। ৰূপে-গুণে বিদ্যাই-বুধিয়ে এটা লেখৰ লৰা।"

"সিদিনা মেৰীৰ মুখতো পীতাম্বৰৰ সুখ্যাতি শুনি-ছিলোঁ। অলপ ভয় হৈছে—জানোচা ইকনমিক্‌ছৰ অনাৰ্ছ গ্ৰেজুৱেটে মোৰ ধন-সোণতে ইকনমিক্‌ছৰ থিওৰিবোৰৰ প্ৰেক্‌টিকেল এপ্লিকেছন কৰে। বাৰু, তুমি কৈছা যেতিয়া এবাৰ চেষ্টা কৰি চোৱাত হানি নাই।"

"চেষ্টা কৰক ৰায়বাহাদুৰ। ট্ৰাই, ট্ৰাই। যত্নে কৃতে যদি ন সিধ্যতি কোঽত্ৰ দোষঃ? নহলে বিয়াৰ বজাৰত ক'ৰ গ্ৰাহক আহি পীতাম্বৰক কিনি লৈ যাব তাৰ ঠিকনা কি? এই আমাৰ হাকিম কামিনীকান্তকেই বা পায় কোনে? বপুৰাই আজি চাৰি পাঁচ বছৰ শোৱন খাৱন এৰি দৰা বিচাৰি হাবাথুৰি খাই ফুৰিছে। য়ুনিভাৰ্ছিটিৰ কেলেণ্ডাৰত উঠা বিয়া দিব পৰা গ্ৰেজুৱেট বোপাইঁতৰ নাম তেওঁৰ আঙুলিৰ মূৰত, বুজিছে ৰায়বাহাদুৰ! প্ৰতি বছৰে ছাৰ্ভিচ কমিটি বহিবৰ সময়ত গুৱাহাটীলৈ গৈ কেণ্ডিডেটসকলৰ মুখলৈ যেনেকৈহে থৰ লাগি চাই থাকেগৈ দেখিলে আমঠু কলা পৰি যায়। চাৰিজনীকৈ বয়সীয়া ছোৱালী ঘৰত থাকিলেনো কাৰ চিন্তাত মগজু ঘোলা নহব? এইবাৰো আনছাক্‌ছেছফুল হলে বপুৰাৰ হাৰ্টফেল হব—কলোঁ। অৱশ্যে পীতাম্বৰৰ গাত মেৰীৰ মাকে বিচৰা বিত্তৰ অভাৱ। কিন্তু আপোনাৰ দৰে হাত-দীঘল পুৰুষে—লয়েলিষ্ট লীগৰ সম্পাদকে এবাৰ "পুছ" কৰিলেই পীতাম্বৰ যে প্ৰভিঞ্চিয়েল ছাৰ্ভিচত সোমাব পাৰিব তাত মোৰ সন্দেহ নাই। তেতিয়া অপ্ৰয়াসে আপোনাৰ গৃহিণীৰ মতে বিয়াৰ ছিলেকছন গ্ৰেডলৈ পীতাম্বৰ উঠিব পাৰিব।"

দুহাতে দুখন প্লেটত মিষ্টান্ন লৈ ৰায়বাহাদুৰৰ পত্নী হাজিৰ হৈ হাঁহি হাঁহি কলে—"দেখিছোঁ—গৃহিণীৰ চৰ্চ্চাত দুয়োজন পুৰুষ—ছাৰ সুৰেন্দ্ৰনাথ। অবলা জাতিৰ প্ৰতি কিন্তু এনে আক্ৰোশ ভাল নেদেখায়।"

পত্নীৰ প্ৰতি কেৰাহিকৈ চাই হাঁহি হাঁহি ৰায়-বাহাদুৰে সুধিলে—"পুৰুষৰ কথা গৃহিণীসকলে লুকাই চুৰকৈ শুনিলে কোন অপৰাধত পৰেহে ৰাজখোৱা? মই দেখিছোঁ প্ৰবলা অবলাসকলৰ প্ৰকোপ দিনে দিনে ইমান বাঢ়ি গৈছে যে আমাৰ ছেফটিৰ নিমিত্তেই এখন নতুন অৰ্ডিনেন্সৰ দৰ্কাৰ হৈ পৰিছে।"

"আপোনাৰ নিচিনা "কাৱাৰ্ড"ৰ কাৰণে অৰ্ডিনেন্সৰ যে নিতান্ত প্ৰয়োজন তাক মই হাড়ে হাড়ে বুজিছোঁ। সদস্য ফুকন ডাঙৰীয়াক "হাছবেণ্ড-ছেফ্‌টি বিল" এখন কাউন্সিলত ইণ্ট্ৰডিউচ কৰিবলৈ ধৰিম।" মিছেজ কাগ্‌তীৰ হাতত থকা মিষ্টান্নলৈ চকু থিৰ কৰি কলে—"আনক আনক, সেইবোৰ মোৰ ওচৰলৈকে চপাই আনক। পলম নকৰিব। আপোনাৰ অপৰাধৰ গুৰুত্বলৈ চাই মিষ্টান্ন স্বৰূপে দিয়া এই দণ্ড নিচেই লঘু যেন লাগিছে। তাতে আপোনাসকলৰ বিষয়ে চৰ্চ্চা কৰিবলৈ কোনো সুবিধা মোৰ নিমিলেই, মোৰ হজমী শক্তি দুগুণে বাঢ়ি উঠে—"দাউ দাউ"কৈ পেটৰ অগনি জ্বলি উঠে।"

"ৰাজখোৱানীৰ লগত পৰামৰ্শ কৰি আপোনাৰ পেটৰ অগনি নুমোৱাৰ এটি ব্যৱস্থা নকৰিলে আৰু নহৈছে।"

"ৰাজখোৱাই আপোনাৰ ৰাজখোৱানীলৈ "কেয়াৰকে" নকৰে। অলঙ্কাৰ-পাতিৰ প্ৰতি আমাৰ তেওঁৰ হেপাহ ইমান ব্যাপক, ইমান প্ৰবল যে তেওঁক যদি পাঁচসেৰীয়া এডোখৰ চন্দ্ৰাকৃতি শিলৰ ওপৰত সোণ মেৰিয়াই দুখনমান বাখৰ খাজি দিয়াওঁ, অনায়াসে নিছলীয়ে তাক কণ্ঠত ধাৰণ কৰি প্ৰশংসাত আমাক বুৰাই দিব। তাক আমাৰ ভালকৈ জনা আছে। আপুনি আমাৰ বিপক্ষে তেওঁক যিমানেই কথা নলগাওক—যিমানেই আমাৰ প্ৰতি তেওঁৰ খং নোতোলাওক—আমি গৈ তেওঁক গহনা-পাতিৰ বিষয়ে কথা উলিয়াই তেওঁৰ খং "পানীকৃত্য" কৰিব পাৰিম বুলি ভাৰসা ৰাখোঁ। পিছে পেটৰ খজুৱতি মোৰ বৰকৈ উঠিছে। আৰু দুই "প্লেট"মান মিষ্টান্ন পোৱা হলে—"।

ৰায় বাহাদুৰে পত্নীৰ মুখলৈ চাই হাঁহি হাঁহি কলে—"দিয়াহে, পেটুৱাক আনি দিয়া। নহলে তোমাৰেই বিপদ। মাক-বাপেকে সৰুতেই এওঁৰ লক্ষণ দেখি ভাল নামটো কিন্তু থৈছিল—ৰুচি নাৰায়ণ। কিন্তু উপাধিটো এওঁৰ সলাব লগা হৈছে। মোৰ মনেৰে, ৰাজখোৱাৰ সলনি তেওঁৰ উপাধি···"

"হাতীখোৱা হওক" বুলি মিছেজ কাগ্‌তীয়ে ৰায় বাহাদুৰৰ কথাৰ মুখনি মাৰিলে।

"ইঃ ৰাম! ৰাম! কাঠকলিতাৰ লৰাক কি পৰাচিত হব লগীয়া উপাধি দিব খোজে একা!" বুলি ৰাজখোৱা জাপ মাৰি উঠিল।

কীৰ্ত্তন-সেৱা

মিনতিৰ লগত নামৰ দ্ৰোহী পীতাম্বৰৰ বিয়াৰ কথা যেতিয়া অহকাণে পহকাণে গৈ গাৱঁত বিয়পি পৰিল তেতিয়া তাৰেই চৰ্চ্চাত নামত ৰতি থকা কৃষ্ণপ্ৰাণ নিৰ্লিপ্ত ভকত বৈষ্ণৱ সকলৰ আহাৰ নিদ্ৰাত ব্যাঘাত ঘটিল। বিশেষকৈ পীতাম্বৰৰ বেলেগতীয়া বৰদেউতাক বুঢ়া বৰবৰুৱাৰ চিন্তাত চকু গৈ কুমত সোমালগৈ। সময়ে সময়ে লাগবান্ধ নোহোৱা কথাও তেওঁৰ মুখৰ পৰা বাহিৰ হবলৈ ধৰিলে। তাৰ কাৰণো আছিল। ভৰালভৰা ধান, গোহালিভৰা গৰু, বাৰীভৰা পাণ-তামোল আৰু পোন্ধৰ পুৰা শালিতলীৰ মালিক হৈও যেতিয়া তেওঁ আজি চাৰি বছৰে অশেষ চেষ্টা অক্লান্ত পৰিশ্ৰম কৰিও পীতাম্বৰতকৈ বয়সীয়া তেওঁৰ এটা লৰাৰো ঘৰখন পাতিব নোৱাৰিলে আৰু তেওঁৰ চকুৰ আগতে ডালদৰিদ্ৰ পীতাম্বৰৰ বিয়া হবৰ আগন্তুক মিলিল তেতিয়া তেওঁৰ হিয়াত ৰাৱণৰ চিতা জ্বলি তেওঁক অস্থিৰ কৰি তুলিলে। পীতাম্বৰৰ উন্নতিয়ে তেওঁৰ গোটেইটো অন্তৰ হা-হুমুনিয়াহেৰে ভৰাই দিলে।

তাতে সিদিনা বুঢ়া বৰুৱাৰ এটা অথন্তৰো মিলিল। গাৱঁত টহলি বুঢ়া বৰুৱাই দুপৰীয়া গোসাই ঘৰত সোমাই নাম গুণ লৈ কৃষ্ণক চিন্তি এগৰাহ চাউল সিজোৱা মুখত দিবলৈ ধৰোঁতেই ঘৈণীয়েকে আখলৰ পৰা কেটেৰাই মাত দিলে—"এইদৰে দিনৰ দিনটো ঘৰে ঘৰে গৈ মুখৰ মহলা মাৰি ফুৰিলেই গা ৰ'ল নহয়! এটি লৰাৰো ঘৰ এখন পাতিবৰ পুৰুষৰ সাধ্য নহল। গাৱঁত মুখ উলিয়াব নোৱাৰা হলোহি। সেয়া কিনাৰামৰ তালযুৰীয়া ডাঙৰ বোপা নহয়নে? ঈশ্বৰৰ ইচ্ছাত তাৰ এতিয়া চাইটা পাঁচোটা লৰা ছোৱালীয়ে ঘৰ পোহৰাব লাগিছে! মোৰ কপালো এখন কপাল। বাছাহঁত আদহীয়া হলহি, সিহঁতৰ মুখলৈ চালেই মোৰ আমঠু কলা পৰি আহে। বোৱাৰীৰ লালন-পালন ভুগিবলৈ—নাতি-পুতিৰ মুখ দেখি হিয়া শাঁত কৰিবলৈ সাধি আমি নাহিলো।"

"তই দেখিছোঁ মোক বলিয়া কৰিহে এৰিবি। পাতো বুলি কোনেও বিয়া পাতিব নোৱাৰে। এক বংশীবদনৰ বাহিৰে বিয়া-বাৰুত তোৰ বাপেৰৰো হাত নাই, বুজিছ। তই এইদৰে কিন্তু মোৰ খোৱাৰ সময়ত পেন্‌পেনাই নাথাকিবি"—বুলি বুঢ়া বৰুৱা গৰজি উঠিল।

বিহাৰ আঁচলেৰে চকুলো আৰু নাকৰ পানী মচি মচি বৰুৱানীয়ে আপোনমনে কবলৈ ধৰিলে—"আক্ৰোহীৰ ঘৰত কণা বিধতাই মোক লেলাট ভোগাবলৈকে এতিয়াও জীয়াই ৰাখিছে। লৰাহঁতৰ শ্ৰী আৰু নেদেখিলোঁ। সিফালে বাঁৰী-দুখুনীৰ লৰা পীতাম্বৰে—"

পীতাম্বৰৰ শ্ৰীত পীতাম্বৰৰ উন্নতিত বুঢ়াবৰুৱাৰ অন্তৰত জ্বলি থকা হিংসাৰ জুইকুৰাত বৰুৱানীৰ কথাই ঘিউ ঢালি দিলে। বৰুৱানীৰ মুখত পীতাম্বৰৰ নাম ওলোৱামাত্ৰেই বুঢ়াবৰুৱাৰ ধৈৰ্য্যচ্যুতি হল আৰু খঙত থৰক্‌বৰক্‌কৈ উঠি বৰুৱানীৰ ফালে খোজ চলাওঁতেই পীৰাত উজুটি খাই বুঢ়াবৰুৱা মাজমজিয়াতে পৰি থৰমৰ লাগিল।

পুৰোহিতৰ পৰামৰ্শমতে নামৰ অপৰাধত হোৱা সেই নিকাৰ খণ্ডাবলৈ বুঢ়া বৰুৱাই ৰাতিলৈ পঞ্চদশ অধ্যায় কীৰ্ত্তন পাঠৰ ব্যৱস্থা কৰিলে।

ৰাতি বৰুৱাৰ ঘৰত নাম সেৱাৰ কাৰণে গায়ন, বায়ন, সূত্ৰধাৰী, গায়নবৰা আৰু গাওঁবুঢ়াকে আদি কৰি গাৱঁৰ মুখাল আৰু আতৈ আত্মৰাম, জপৰা ভকতকে প্ৰমুখ্য কৰি ভকত-বৈষ্ণৱসকলৰ থূল বহিল। পুৰোহিতে চকুত বিতচকু পিন্ধি ঘেঁহাই ঘেঁহাই জাত লগাই কীৰ্ত্তন পঢ়িবলৈ আৰম্ভ কৰিলে আৰু ভকত বৈষ্ণৱ সকলে পৰনিন্দাৰ লগে লগে মাজে সময়ে পদৰ ব্যাখ্যা কৰিবলৈ ধৰিলে।

পুৰোহিতে ঘেঁহাই পঢ়িলে—

নামক কীৰ্ত্তন কৰন্তে আনে।
আন মন কৰি নুশুনে কাণে॥
অধক যাই সিও হোৱে কলা।
বাইবে কাণত তপত শলা॥
নাহিকে শ্ৰদ্ধা নপাতয় কাণ।
তাক যিটো দেয় নামৰ দান॥
নামৰ দ্ৰোহী নাহি তাত পৰে।
ভুঞ্জাইবে যাতনা যম কিঙ্কৰে॥
শুনিয়া নামৰ মহিমা নীতি।
তথাপি নামত নকৰে প্ৰীতি॥
নামৰ দ্ৰোহী সিও অহঙ্কাৰী।
ভুঞ্জিবেক কাকে জিহ্বা উপাৰি॥

আতৈ আত্মৰামে ইমানপৰ টোপনিত বড়শী বাই আছিল যদিও কাণ তেওঁৰ জাগি আছিল। থক্‌মককৈ উঠি চকু মোহাৰি মোহাৰি কলে—"ৰব প্ৰভু, ৰব—অনুগ্ৰহ হওক। সিদিনা পীতাম্বৰৰ ঘৰত পতা পাল নামত আমাৰ এই গায়নবৰাৰ পুতেক হগলাই—বাপুৱে কীৰ্ত্তন পঢ়ি নামৰ মহিমা বৰ্ণাই থাকোতে ফিচিঙা-ফিচিঙি কৰি আছিল। কলোঁ, হেৰ হগলা, তোৰ মতি গতি ভাল নহয় বুজিছ। তোৰ জিভাঁত জিভাবেতে দেখা দিব আৰু কাউৰীয়ে সেই ঘা লগা জিভা উপাৰি উপাৰি খাব। তাতে এই গায়নবৰাই...।"

সূত্ৰধাৰে জীয়েকক গায়নবৰাৰ পুতেক হগলালৈ যাচি দিওঁতেও গায়নবৰাই বিয়া নকৰোৱাত আজি অনেক দিনৰে পৰা দুয়োৰো পেটে পেটে ভাল নাছিল। আগ্ৰহেৰে আতৈক সুধিলে—"ৰল কিয়? গায়নবৰাই কি কৈছিল এই ব্ৰহ্মথূলৰ আগত বেকত কৰাই ভাল।"

"এৰা নকওঁ বুলিয়েই ভাবিছিলোঁ। আপোনাসৱে শুনিবৰ মন কৰি কবলৈ আদেশ কৰিছে যেতিয়া বাৰু কওঁ শুনক। মোৰ হে হেনো কাউৰীয়ে চকু খুলি খুলি খাব। মোৰ মুখত হেনো গায়নবৰাই ক্ষুদ্ৰ শৌচ কৰিব। ইমান এওঁৰ কলিজা, ইমান এওঁৰ খিতাপ। ভকত বৈষ্ণৱক নিন্দি নামদ্ৰোহী হৈ কোনে কেই কাল খাবহে, কোনে কেই কাল খাব!"

মালাগুটি জপি জপি জপবা ভকতে মাত লগালে, "প্রভুদকলে ইয়াৰ এটি দণ্ড বিহক। নহলে এই সেৱাৰ পৰা আমি উঠিবই লাগিব। কলিকাল! নামদ্রোহীৰ লগত···" জপবা ভকতৰ মেলামুখ মেলাতে থাকিল। গায়নববা গৰজি উঠিল। তেওঁৰে শালপতি বায়ন বাপিবামে জপবাৰ ফালে চকু বঙাকৈ চাই হাত জোকাবি জোকাবি কলে "সকলোবে গোঁধ উকট দিব পাৰোঁহে গেলা গপ মাৰি মৰুনমকাবা। মালাগুটি জপি পৰম বৈষ্ণব হৈছা, সিফালে সিদিনা তোমাৰ লৰাই যে পীতাম্বৰৰ লগত গৈ বটলত ভবোৱা মিঠাপানী বুলি বঙাপানী এটুপি পি আহিছিল তাৰ খবৰ ৰাখিছানে? আগেয়ে তোমাৰ দণ্ডকেই পেলোৱাচোন, পিছতো লোকৰ দোষ খুচবিবা। নহলে এই সমাজৰ পৰা উঠি যোৱা।"

"কুকুবধ্বনি পুতেকে কলি কি? কলি কি?" বুলি আয়ুৰাম আতৈকে প্রমুখ্য কবি ভকতৰ পান্থিৰ লোকসকলে বায়নৰ ফালে চোঁচা ললে আৰু বায়নৰ দলেও হাতমুৰ জোকাবি উঠিল।

বুঢ়াবকৰাই আঠুকাড়ি গলবস্ত হৈ সমস্তুতা সকলক ক্রোধ সম্বৰণ কবিবলৈ মিনতি নকবা হলে তেওঁৰ সেই কীর্ত্তন সেৱাৰ পবিণাম ভীষণ হৈ সেই যাত্রাতে খেল ছকালেই হলহেঁতেন।

পুবোহিত বাপুৰে সমস্তুতা সকলৰ তর্কবাদৰ কন্দল কৌটুলৰ সুবিধাতে একেকোবেই জাপ মাবি কীর্ত্তনৰ ধাত্রিশ অধ্যায়ত উপস্থিত হৈ জাত লগালে—

হিবণ্যকশিপু শুনিয়া হেন।
ক্রোধত কম্পে অতি যম যেন॥
ঝম্পাবে মাথা কবি অতি দর্প।
লাথি পাই যেন ফোঁকাবে সর্প॥
প্র-হ-লাদে-এ-এ···

খণ্ডত জপবাৰ কণ্ঠবোধ হৈ আছিল মাণোন। বাপুৰ ফালে চাই ভেকাহি মাবি কলে—এঃ, ববচোন দেও। কথাটোঁৰ এটা মীমাংসা হৈ যাওক। মোৰ লৰাই মিঠাপানী খাই জগৰ লগাইছে মানিলোঁ কিন্তু পীতাম্বৰৰ বিয়ালৈ আৰু বেছি দিন নাই। গাৱঁৰ মুখিয়াল বুলি ফিতাহি মৰা ববমতা বায়ন গায়নববাবোৰৰ পীতাম্বৰ এঘৰীয়া কৰাৰ শকতি আছেনে নাই দেখিম। পীতাম্বৰ ঘৰৰ জা-জলপাকে ববমুবীয়াইতৰ ববপেট নভৰে যদি, হোৱাহোবে চকৰে চকৰে বোকা চাউল, দৈ, মিঠৈ গৈ ঘৰত নপৰে যদি মই বোপাইৰ পোৱেই নহওঁ।

গেথৌ গায়নক এজন নির্জ্জু প্রকৃতিৰ লোক বুলি গাৱঁৰ দহজনে কয়। মাহৰ মাৰ দেখি তিলে বেত মেলা দেন হৈ ইমানদবে সমস্তুতা সকলৰ কন্দল চাই আছিল। ভকতৰ কথা শুনি এইবাৰ তেওঁ মুখ মেলিলে, "ভকতে কথাটো ঠিকেই কৈছে। কিন্তু সেইবোৰ কথা উকটাৰ সময় এতিয়াও নো হয়। মোৰ মনত হলে এটা কথাই আজি কেবাদিনো ঘুন্দিয়াখুদিকৈ আছে। আমাৰ নিচিনা ছালছিগাক সুহুদিলে নাই কিন্তু প্রভুদকল, আপোনা-সকলৰ কোনো এগবাকীকেই পীতাম্বৰৰ মাকে বিয়াৰ বিষয়ে সুধিছিল নে নাই মই জানিব গোলো। আমি নিঃকিন হলেও তো এখন সমাজ পাতি আছোঁ। বাইজ ডাঙৰ নে বঙা ডাঙৰ?"

মুৰ জোকাবি ভকতৰ কথা শলাগি সূত্রধাবে কলে "সিদিনা পীতাম্বৰৰ লগত মিনতিৰ বিয়াৰ কথাটো শুনি সচা মিছা জানিবৰ নিমিত্তে সিহঁতৰ ঘৰলৈকে গৈ মাকৰ মাতি সুধিলোঁ—খুবী, বোপাৰ বিয়া তো ঠিকেই হৈছে বুলি শুনিছোঁ। এতিয়া গাৱঁৰ দহজন বৰমুবীয়াক গোটাই শুভকাম কেনেকৈ সুকলমে সমাধা কবিব পৰা হব, বিয়াৰ আ-আয়োজন,যা-যোগাবেই বা কোনে কেনেকৈ কবিব তাৰ পবামর্শ লোৱাটো আমি ভাল দেখো। তাৰ সমিধান বি হে পালো—"

উপস্থিত সকলোটিয়ে মুখ মেলি চকু থিব কবি সূত্রধাবৰ মুখলৈ চাই বল।

"কলে—জনমদুখুনী মই। বাইজক গোটাই এটা পবামর্শ লবলৈও মোৰ সাহে সুকুলায় বাপা। বাইজৰ ভবি ধুৱাবলৈ আশীর্ব্বাদ লবলৈকো বিধিয়ে সামর্থ্য নিলিলে। এতিয়া মাণোন কেচা পাণ কেচা তামোল কাটিহৈ বোপাৰ বিয়াখন পাতিবলৈ আগ বাঢ়িছোঁ। পিছে-পাৱ দুপইছাৰ মুখ দেখিলে বোপাই বাইজক সন্তোষ কবিব।"

সকলোটিবে মুখ কলা পবিল। ইটিয়ে সিটিব মুখলৈ চাবলৈ ধবিলে।

গায়নববাই অলপ পিছত গহীনাই মাত লগালে—"মই এই কথা ন-দি কব পাৰোঁ যে, সেই বাঁবীৰ সমান টামটাঙালী গেটটেঙবী কবাইচ তিবোতা আমাৰ এই অঞ্চলত আক নাই। ইফালে মুখত বিহে মিঠা মাত। নহলে নো একো সমল নোহোৱাকৈ পীতাম্বৰক বি-এ পচোৱাই এতিয়া তাৰ বিয়া পাতিব পাবে নে? ইফালে আমাৰ সূত্রধাবৰ মুখত বাঁবীৰ কথাৰ ঠাচ শুনিলা? মাক-পুতেক দুয়ো একে পাগতে উঠিছে। বাইজৰ প্রতি, ভকত-বৈষ্ণবৰ প্রতি অলপো যদি ভক্তি থাকিলেহেঁতেন! পিছে কিন্তু ধর্ম্মই নসহিব।" তাৰ পিছত বুঢ়াবকৰাৰ ফালেলৈ চকু ঘুবাই সুধিলে—"ঘুবাই কি কয়?"

গায়নবাৰ মুখাকে কবলৈ নৌ পাওঁতেই গায়নে মুখ বিৰবাই কলে—কেচা-পাণ কেচা-তামোল কাটিনো বিয়া পাতিব লাগিছে কেনৈ? লোকৰ দেখুৱাবলৈ? মোৰ মনেবে পীতাম্বৰৰ লগত মিনতিৰ বিয়া কাহানিবাই হল। ক'ত শুনিছিলা ক'ত দেখিছিলা বিয়াৰ আগতে ছোৱালীয়ে দৰাৰ ঘৰত আহি বৈণীৰ দবে কাম-কাজ কবি ফুবা? সিদিনা পালনামত নেদেখিলা নে মিনতি কেনেকৈ উকলীকৃত হৈ বৰ্ষিছিল। বুজিছে প্রভুসকল! মিনতিৰ গাত অলপ আসোৱাহো হৈছে বুলি আমাৰ ঘৰৰ "তেওঁ" মোক কালি ফুচফুচাই কৈছিলো। আৰু বা কি কাণ্ড দেখো! ক'ব পানী কলৈ যায় চাই থাকা।"

"হি হি হি—বাঁবীকোঁৱৰ বুধিটো দেখিছোঁ নিচেই ভোতা। ভাবিছিলোঁ পঢ়ি-শুনি তাৰ বুধিটো ঢোকা হৈছে। কিন্তু মিছা। ক'ত ডাঙৰ ধনী মানুহৰ জীয়াৰীক বিয়া কবি বয়-বস্তু ধন-সোণ এসোপা চপাবৰ চেষ্টা কবিব, অ' চকু পবিলেগৈ সেই বাপেক মবা ভিকহু টাকলী ছালছিগা ছোৱালীত। বাছোতে বাছোতে গেলা বৰালিত হে হাত পবিলগৈ।" বুলি গাওঁবুঢ়াই ঢেক-ঢেকাবলৈ ধবিলে।

"নহয়হে গাওঁবুঢ়াকাই নহয়। তুমি বিয়াৰ বহইছটোৰ আঁতটো এতিয়াও ধবিব পবা নাই। আচল কথা কি কওঁ শুনা! আমাৰ বুঢ়াবকৰাই তেওঁৰ ডাঙৰ বোপাটিলৈ মিনতিক ধবিছিল বোলে। মাকেও কুকংকাবাং কবিছিলেই। পিছে বাঁবীকোৱৰৰ মাকে পুৰ্ব্বৰ কথা সুত্রবি বুঢ়াবকৰাৰ বুকত শেল হানি পঠালে। হবলগীয়া বিয়াখন দুয়ো বাঁবীয়ে ভাঙি তলে তলে এই কাণ্ড কবিছে। পিছত বুঢ়া বকৰাই আঠু লগত আয়ুসত বিধিনি শুদ্ধ কবি বামনামে সপবিবাবে কন্যাৰ কবক জয় অ' বাম বোলা জয় অ' হবি বোলা—বুলি বুঢ়াবকৰাক আশীর্ব্বাদ দি প্রসাদ গ্রহণ কবি কল-মাহ-চাউল আৰু মিঠৈ লাকৰ টোপোলা লৈ সকলোটি ঘবাঘবি গল।

বাটত জপবা ভকতে আতৈ আত্মৰামক কলে—"দেউবীৰ টোপোলাটোলৈ মন নকবিলানে? তাৰ হাতত পথবা ওপাৰ বুজিছা! তাৰ মহতালিও দেখিলা? সেই নোমনেণ্ডবৰঞ্জিত বাপিবাম বায়ন পাত হৈয়েই আগলি কলপাতৰ মালিক হল। আমি কিন্তু এডোখবি গোটপাতবো গৰাকী নহলোঁ।

হায়াৰ চার্কোল

পীতাম্বৰৰ বিয়ালৈ আৰু এপখ আছিল। এনেতে

এদিন পুরা বায় বাহাদুরব পবা এখনি জকরী চিঠি পাই সময়মতে উপস্থিত হমহি বুলি কৈ মাকব পবা মেলানি মাগি পীতাম্বব চহবলৈ যাত্রা কবিলে।

ঘামত তিতি-বুবি জুকলা জুপুবা হৈ আবেলি পীতাম্বব বায়বাহাদুবব ওচব চাপিল। বায়বাহাদুবে আদব কবি পীতাম্বকব তেওঁব সুসজ্জিত ড্রয়িংকমত ইলেকট্রিক্ ফেনব তলত বহবাই কলে—"সকলো এনগেজমেণ্ট বন্ধ কবি তোমাব নিমিত্তেই অপেক্ষা কবি আছিলোঁ, বকৰা! উঃ! আজি দুদিনবে পবা অসহ্য গবম পবিছে। বেবমিটাবত ৯৯ ডিগ্রিলৈকে উঠিছে। আজি বাতিপুৱা আমাব ডি, চি, মিষ্টাব লায়নব লগত দেখা হওঁতে তেৱোঁ তাকেই কৈছিল। পিছে আহিগা কেনেকৈ বকৰা!"

"আপোনাব চিঠি পাই খোজ কাঢ়িয়েই আহিলোঁ।

"তোমাব স্ত্রীন দেখিছোঁ হীট্-প্রুফ্। তোমাব নিচিনা শিক্ষিত ডেকাই এই পোন্ধব মাইল ব'দত খোজ কাঢ়ি অহাটো মই ভাবিবই নোৱাবোঁ। মোবো দেখিছোঁ এটা মস্ত ভুল হল। "কাব" এখন পঠাবলৈকো পাহবি গলোঁ। মিষ্টাব লায়নে তোমাব এই কথা শুনি কিন্তু বব প্লীজ্ড্ হব। উই ওৱাণ্ট ইয়ং মেন লাইক ইউ। "বয়"!

"হুজুব!"

"মেম-চাহাব···"

অনন্তবিলম্বে মেম-চাহাব অর্থাৎ বায়বাহাদুবব পত্নী মিচেজ কাগ্‌তী আহি ড্রয়িং কমত উপস্থিত হল। পীতাম্ববে উঠি এটি সেৱা জনালে।

সুষ্মিত ফালে চাই বায় বাহাদুবে কলে—"এৱেই মিষ্টাব পি, বকৰা—ইকনমিকছব অনাৰ্ছ ফাষ্ট্ক্লাছ ফাষ্ট্। এওঁব কথাকেই কালি তোমাক কৈছিলোঁ। এওঁ কিন্তু আজি পোন্ধব মাইল বাট এই ব'দতে খোজ কাঢ়ি আহিছে। ৱাণ্ডাবফুল!"

প্রশংসাপূর্ণ দৃষ্টিবে মিচেজ কাগ্‌তীয়ে পীতাম্বকলৈ চাই তেওঁব ওচবতে বহিল। অলপ পিছতে নানাবিধ ফলাহাব, মিষ্টান্ন, কেক, বিস্কুট, চাহ-চেনি, গাখীব, গবম পানী লৈ বায়বাহাদুবব "কুক" "বেহাবা" আহি উপস্থিত হল।

"মেবী ক'ত হে?"

"ষ্টুডিওত বহি ছবি আঁকি আছিল। এতিয়া বেডিঙ ওৱেবলেছত গান শুনিছে।"

"ছবি আকিবলৈ পালে, গান বাজনা পালে মেবীক আক একো নালাগে। মাতা—মাতা, আমাব এই পার্টিত যোগ দিয়কহি। বকৰাব লগতো ইণ্ট্রডিউচ কবি দিওঁ।"

অলপ পিছতে মাকব লগত পাছোঁ মহিলাব সাজেবব্‌কটা চুলিবে—সৌবভত গোটেই ঘব আমোদিত কবি মেবী উপস্থিত হলহি। পীতাম্বব ফালে চাই বায়বাহাদুবে কলে—মোব একেটা ছোৱালী এই মেবীব নাম তুমি শুনিছা বোধ কবোঁ। এইবাব বেথুন কলেজবপবা ফাষ্ট্ ডিভিজনত আই-এ পাছ কবিছে। তাব পিছত মেবীব ফালে চকু ঘুবাই কলে—"মেবী, এৱেই তোমাব সেই মিষ্টাব পি, বকৰা—যাব বিদ্যা-বুদ্ধিব প্রশংসা তোমাব মুখত সদায় লাগি আছেই। বুজিছা বকৰা! মেবীয়ে যাবে তাবে আগত অসমীয়া ডেকাব সুখ্যাতি কবিব লগীয়া হলে তোমাব কথাকেহে মাথোন কয়। তোমাকোক দুয়োবো ভিতবত অন্তবঙ্গ কিবা "এফিনিটি" নিশ্চয় আছে।

মিষ্টাব পি, বকৰাই হায়াব চাকৰীলব আঃ-ভাঃ একোকে নাজানিছিল। বায়বাহাদুবব কথা শুনি মিচেজ্ কাগ্‌তী আক মেবীক আগত দেখি বেচেবা ধামিবলৈ ধবিলে। লাজত তেওঁব মুখ বঙা পবিল।

মেবীয়ে হাঁহি হাঁহি ওচব চাপি মিষ্টাব পি, বকৰাক "হেণ্ড-ছেক" কবি সম্ভাষণ জনাই চাহ কবিবলৈ দবিলে।

কৌতুকপূর্ণ দৃষ্টিবে বায়বাহাদুবে বকৰাব ফাললৈ চাই কলে—"তুমি দেখিছোঁ নিতান্ত লাজুক। তোমাব নিচিনা ইয়ং ম্যানবিলাক সদায় ফৰওৱার্ড—সদায় পুছি হব লাগে।—হিজ্ এক্চেলেন্সিয়েও সেইদিনা মোক তাকেই কৈছিল।"

মিচেজ্ কাগ্‌তীয়ে কলে—"মেবীয়ে মেবীব এই লাজুক বন্ধুটিব লাজ নাভাঙিলে নহব যেন দেখিছোঁ। মিষ্টাব বকৰাই কিন্তু আমাক নিজব আপোনাব জন বুলি ভাবিবলৈ অনুবোধ কবিব নোৱাবোনে?"

হায়াব চাকৰীলব কথা-বার্ত্তাত মিষ্টাব পি, বকৰা আক মচুচিত হৈ পবিল।

চাহ-পানত সকলোটিয়ে যোগ দিলে। মিষ্টাব পি, বকৰাই বিদায় লবব মনেবে বায়বাহাদুবক বিনীতভাবে সুধিলে—"মই এতিয়া উঠিব খোজোঁ। আজি হোটেলত থাকি কালিলে আকৌ ঘব পাবলৈ লাগে। পিছে মোকনো কিয় মাতি পঠাইছিল, জানিব পাবোনে?"

—"মোব এই পেলেচিয়েল বিল্ডিং থাকোতে তুমি হোটেলত থাকিবা কিয়? মেবী, তুমি তোমাব বন্ধুব চার্জ্জ লোৱা—আজি আক ফুবিবলৈ যাব নালাগে। মাবাব লগত মই অলপ হাৱা খাই আহোঁ। ড্রাইভাব!"

"হুজুব।"

"বোলচ বইচ্।"

ষাবব সময়ত মিষ্টাব পি, বকৰালৈচাই বায়বাহাদুবে কলে—অ' কি কৈছিলা বকৰা? নাতিছিলোঁ—তোমালোকব নিচিনা "জুৱেল" বিলাকক প্রভাইডেন্স হোৱা নেদেখিলে মই মনত বব দুখ পাওঁ। দুই এজন গ্রেজুৱেটে কাকতে-পত্রই দেখিছোঁ মই লয়েনিষ্ট লীগব ছেক্রেটবী হোৱা দেখি গালিও পাবিছে। কিন্তু মাই স্ত্রীন ইজ্ টু থিক্ বব ডেঘাব বুলেটচ, বুজিছা বকৰা। পানীত থাকি ঘবিয়ালব লগত যুজিবলৈ যোৱাটো আনো মুর্খব কাম নহয়! স্বৰাজ স্বৰাজ কবি টেটু ফালি ফুবিলেই স্বৰাজ নহয়। ভাবিছোঁ প্রভিন্সিয়েল ছাভিচত তোমাক সুমাই দিব পাবিলে হয়। মিষ্টাব লায়নক তোমাব বিষয়ে মই কৈও থৈছো। তেওঁ "হোপ" দিছে। ছাভিচ কমিটিব মেম্বব সকলব লগতো মোব ভাল ভাব আছে। কালিলৈ মিষ্টাব লায়নব লগত তোমাক ইণ্ট্রডিউচ কবি দিম। মেবীব লগত এতিয়া কথা-বার্ত্তা পাতা। ফীল্ ইওব চেল্‌ফ্ কোৱাইট এট্ হোম।

সস্ত্রীক বায়বাহাদুব "বোলচ বইচত" উঠি ফুবিবলৈ গল। বাটত তেওঁক কলে—লবাটোব সুন্দব চেহেবা, চকুত অসাধাবণ দীপ্তি। হাকিম-টাকিম এটা হব পাবিলে বৌধকলো তোমাব তেওঁক জোৱাই কবাত আপত্তি নহব।

বিলাসী ধনী বায়বাহাদুবব শিক্ষিতা কন্যা মেবী। সেই মেবীব সঙ্কোচবিহীন আচবণত পীতাম্বব মুগ্ধ হৈ পবিল। দিনে দিনে দুয়োবো অন্তবব ব্যবধান টুটি আহিবলৈ ধবিলে। মিনতিব মুখখনিলৈ মনত পবি পীতাম্বকব অন্তব-আকাশত সময়ে সময়ে এডোখবি কলা ডাববে দেখা দিছিল যদিও মেবীব বিচিত্র কপলীলাই তাব ওপবত বামধনুব সৃষ্টি কবি পীতাম্বকব এক নতুন কল্পলোকব সন্ধেদ দি এক অনির্ব্বচনীয় সৌন্দর্য্য সাধনাত বিভোব কবি তুলিলে।

পার্টি, পিক্‌নিক, প্লেয়াব ট্রীপ, কাব্য চর্চ্চাদিব মাজেদি মোহময় আবেশত সুখ-সপোনব দবেই মেবী আক মিষ্টাব পি, বকৰাব দিনবোব যাবলৈ ধবিলে।

বাজবাজেশ্বব

তাব কেদিনমানব পিছত।

পীতাম্ববে আবেলি ফুবি আহি মেবীব "ষ্টাডি" কমত সোমাওঁতেই মেবীয়ে অধুমোগব সুবে কলে—আপোনাক "লাঞ্চব" সময়ত ইমানকৈ কলোঁ—আবেলি তিনি বজাত মই মোব নতুনকৈ অনা এছবাজ বজাই ইংবাজী গান শুনাম বুলি। সেই বাবতাতে বন্ধুব ঘবলৈ ওলাই সোনকালেই আহিম বুলি ছাবে তিনি বজালে। দেখিছো আপোনাব সোনকালব "আইডিয়া" চমৎকাব। মার্চ্ছেল নে পঁচিশ পাঁচ মিনিট পলমব ফলত বিশ্ববিজয়ী ৱাটাবলু যুদ্ধত ওৱেলিংটনব হাতত পবাজয়—আদ্ ঘণ্টা পলমব ফলত ডিগ্রীধাবী যুবকব পবিণাম কি ভয়াবহ আপুনিয়েই ভাবক।

হাঁহি হাঁহি পি, বকৰাই উত্তব দিলে—"সেই পবিণামব বিষয়ে আগতেই মই অনুমান কবি আছিছোঁ। মেবীব অন্তব কাবাগাবত যুবক চিবজীবন বন্দী।"

"আপুনি লাহে লাহে বব দুষ্ট হৈ পবিছে।"

দুয়োবো মুখত প্রণয়ব মোহন মধুবতা ফুটি উঠিল।

"শুনা মেবী, মোব বন্ধুজনো প্রভিন্সিয়েল ছাভিচব কেণ্ডিডেট। তেওঁব ঘবলৈ গৈ দেখিলোঁ এটা পেটাল জ্যোতিষীয়ে বন্ধুব হাত-কপাল চাই তেওঁব ভূত-ভবিষ্যত-বর্ত্তমান কবলৈ ধবিছে। মোক হাঁহা দেখি জ্যোতিষী

মহাশয়ে এই ৰংবেৰঙৰ বিজ্ঞাপনখনি পঢ়ি চাবলৈ দিলে। পঢ়াচোন—আকৌ এবাৰ শুনি শ্ৰৱণ জুৰাওঁ।

মেৰীয়ে বিজ্ঞাপনখনি লৈ পঢ়িবলৈ ধৰিলে।

সোণালী সুযোগ

জীৱনত সুবিধাই দেখা দিয়ে কিন্তু এবাৰহে।

বিশ্বত্ৰাসী কাইজাৰ, সম্ৰাট পঞ্চম জৰ্জ্জ প্ৰেছিডেণ্ট ৱিল্‌ছন্, মহাত্মা গান্ধী, দেশবন্ধু চিত্তৰঞ্জন, প্ৰবল প্ৰতাপান্বিত মহাৰাজাধিৰাজ কাশী পৰেশ্বৰ, মহামান্য হাইকোৰ্টৰ জজ আৰু অসম বঙ্গৰ মন্ত্ৰীমণ্ডলীকে প্ৰমুখ্য কৰি বিশিষ্ট পুৰুষৰ ভাগ্য নিৰূপণকাৰী, সৰ্ব্বজন প্ৰশংসিত, ভাৰত জ্যোতিষী সংঘৰ ভূতপূৰ্ব্ব সুদক্ষ সম্পাদক, অলৌকিক গুণসম্পন্ন, জ্যোতিষাকাশৰ উজ্জ্বল ভাস্কৰ, অপ্ৰতিদ্বন্দী তান্ত্ৰিক, গ্ৰহাচাৰ্য্য শ্ৰীমৎ জগজ্জ্যোতি জ্যোতিষাৰ্ণৱৰ প্ৰাগ্‌জ্যোতিষ পুৰত প্ৰথম পদাৰ্পণ।

জ্যোতিষ শাস্ত্ৰৰ প্ৰথম জন্মস্থান পুৰাণপ্ৰসিদ্ধ প্ৰাগ্‌জ্যোতিষৰ অধিবাসী সকলৰ আগত জ্যোতিষশাস্ত্ৰৰ অভূতপূৰ্ব্ব মহিমা বৰ্ণনা কৰা নিষ্প্ৰয়োজন। বিজ্ঞাপনৰ কুহকজাল বিস্তাৰ কৰি পৰস্বাপহৰণকাৰী ভণ্ড জ্যোতিষীৰপৰা ভক্ত সকলৰ উদ্ধাৰ মানসে বিশিষ্ট লোকৰ একান্ত আগ্ৰহত কেৱল এমাহৰ নিমিত্তে আগমন। আপুনি আপোনাৰ ভূত-ভবিষ্যত-বৰ্ত্তমান তেওঁৰ পৰা জানিলৈ কৰ্ম্মক্ষেত্ৰত আগবাঢ়ক।

বিশেষ দ্ৰষ্টব্য।—শনি কবচ, শ্ৰীসূৰ্য্য কবচ, ধনদা কবচ, বশীকৰণ কৱচকে আদি কৰি বহুবিধ মহাপুৰশ্চৰণ সিদ্ধ মূল্যৱান তান্ত্ৰিক কৱচো তেওঁৰ হাতত উপযুক্ত দামত পোৱা যায়। পৰীক্ষা প্ৰাৰ্থনীয়।

বিজ্ঞাপনৰ আড়ম্বৰত মেৰী হাঁহি হাঁহি বাগৰি গল। কলে, আপোনাৰ জ্যোতিষীয়ে শব্দকল্পদ্ৰুমৰ সকলো বিশেষণ সংগ্ৰহ কৰিছে। জ্যোতিষাৰ্ণৱই প্ৰাগ্‌জ্যোতিষৰ অধিবাসীৰ পৰা দহবাৰ হেজাৰ টকা আদায় নকৰাকৈ দেশলৈ প্ৰত্যাগমন নকৰিব যেন পাইছোঁ।

"মেৰী, এই ভণ্ডবোৰৰ চক্ৰজালত বছৰি বছৰি হেজাৰে হেজাৰে টকা অসমৰ বুকুৰ পৰা বিদেশলৈ বৈ গৈছে। পিছে শুনা।—বন্ধুৰ কথা মতে আৰু পেটাল জ্যোতিষীৰ নেৰানেপেৰা আগ্ৰহত ময়ো হাত দেখুৱালোঁ। প্ৰথমতে ৰূপ ৫৲ টকা সামৰি অলপ পৰ একাগ্ৰচিত্ত হৈ চাই জ্যোতিষীপ্ৰবৰে কলে—মোৰ হুনো হাতৰ নিচিনা এখন হাত আজিলৈকে তেওঁ দেখা নাই। কপালৰ ভাগ্যফলো অতি প্ৰৱল। মোৰ হাতৰ এই উৰ্দ্ধৰেখাবোৰে হুনো মোৰ উচ্চ মনোবৃত্তিৰ উৰ্দ্ধগামী ভাগ্যৰ পৰিচয় দিছে। মোক গ্ৰহাচাৰ্য্যই ৰাজৰাজেশ্বৰ কৰিলে।

কৌতূহল জন্মিল। সুধিলোঁ—মই বৰ্ত্তমানে এটা কামৰ চেষ্টাত আছোঁ। পাবৰ আগন্তুক আছেনে?

কলে—"তাত সংশয় নাই। কেৱল শনিৰ অলপ বক্ৰদৃষ্টি আপোনাৰ ওপৰত পৰিছে। তেৱেঁই আপোনাক অলপ ঘূৰাব। কিন্তু মোৰ পৰা ১৫৲ টকা দি চাকৰি প্ৰাপ্তিৰ কাৰণে বিশেষভাৱে প্ৰস্তুত কৰা শনি কবচ এটা লৈ বাহুত ধাৰণ কৰিলেই আপোনাৰ অপায় অমঙ্গল সকলো দূৰ হব। অপ্ৰয়াসে কাম আহি আপোনাৰ হাতত পৰিব।

বন্ধুৱে সুধিলে—জ্যোতিষী মহাশয়, কওকচোন মোৰ বন্ধুৱে বিয়া কৰাইছেনে নাই?

"কলে কি?" আগ্ৰহেৰে মেৰীয়ে সুধিলে।

"সেই কথা তোমাৰ নুশুনাই ভাল মেৰী। কলে—মই বোলে বিবাহিত। হাঁহি ৰাখিব নোৱাৰিলোঁ। বন্ধুৱে জ্যোতিষীক কলে—আপোনাৰ গণনাত একেবাৰেই ভুল। বন্ধুৱে বিবাহ কৰাহে নালাগে গাভৰুৰ নাম শুনিলেও জাপ মাৰি উঠে।

জ্যোতিষীৰ উপস্থিত বুদ্ধি আছে মেৰী। উত্তৰ কি দিলে শুনা—মোৰ গণনা কেতিয়াও ভুল হব নোৱাৰে। মই ডাঠি কৈছো—এওঁৰ কায়িক বিবাহ নঘটিলেও মানসিক বিবাহ কিন্তু ঘটিছে।

হাঁহি হাঁহি মেৰীয়ে বৰুৱাৰ চকুলৈ চাই কলে—জ্যোতিষীৰ গণনা নিভুল বুলি ময়ো কওঁ। মোক কিন্তু জ্যোতিষীৰ পৰা এটা বশীকৰণ কবচ আনি দিবদেই।

ক্ষমা কৰিবা মীৰা। তোমাৰ চকুজুৰিৰ প্ৰকোপতে ৰক্ষা পোৱা টান। বশীকৰণ কৱচ ধাৰণ কৰি নিৰীহ যুৱকসকলৰ বধৰ ভাগী নহবা।

মেৰীৰ মুখত বিজুলী চমকিল।

এছৰাজৰ মধুময় ঝঙ্কাৰত—মীৰাৰ সুৱদি সুৰীয়া গানত পি, বৰুৱাৰ হিয়াত প্ৰেমৰ ঢৌ উঠিল।

যৌৱন-জোৱাৰ

পিছদিনা পুৱা সচিত্ৰ মাহেকীয়া কাকত "বিচিত্ৰা" মীৰাৰ হাতত পৰিল। প্ৰথম পাততে সম্পাদকৰ ভূমিকাৰে উদীয়মান তৰুণ প্ৰণয়-কবি শ্ৰীযুত পীতাম্বৰ বৰুৱা বি-এৰ "যৌৱন জোৱাৰ" কবিতাটি দেখি মীৰাই আগ্ৰহেৰে পঢ়িলে আৰু পীতাম্বৰক মাতি নি ওচৰতে বহুৱাই কবিতাটি দেখুৱাই হাঁহি হাহি কলে—মাৰ্চ্ছেলৰ প্ৰিয় ছাত্ৰৰ অৰ্থশাস্ত্ৰৰ পৰম ভক্তৰ অন্তৰত যে কবিতাৰ "জাৰ্ম্ম" থাকিব পাৰে ভবাই নাছিলোঁ। হে মোৰ তৰুণ প্ৰণয়-কবি, অকবি তৰুণীৰ সম্ভাষণ গ্ৰহণ কৰক। এই যে লিখিছে—

হে মোৰ প্ৰিয়া, চিত্ত হৰা, পৰাণ বহাগী,
দৃষ্টিত তোমাৰ কল্পলোকৰ সৃষ্টি উঠিব জাগি।

যৌৱন-জোৱাৰ লেখক উদীয়মান কবিৰ এই পৰাণ বহাগী কোন সুধিব পাৰোনে? দেখিছোঁ আপোনাৰ এই কবিতাই ভাব আৰু প্ৰেম-ৰাজ্যত যুগান্তৰ আনি অনেক তৰুণ-তৰুণীৰ চিত্ত চঞ্চল কৰি তুলিব। ভাব আৰু ভাষাৰ কি অপূৰ্ব্ব সমাৱেশ! বায়ৰণ! আজি তুমি ক'ত?"

তোমাৰ বায়ৰণৰ দোহাই দিছোঁ মেৰী, কবিতাটো সামৰি থোৱাঁ। তোমাৰ বাক্যবাণেৰে আৰু মোক নিবিন্ধিবা।

"এয়া হল অকবিৰ কথা। ভয় হৈছে কবিৰ অন্তৰসমুদ্ৰত উঠা উদ্‌ভ্ৰান্ত "যৌৱন-জোৱাৰে" বিপুল বিক্ৰমেৰে সমাজৰ পাৰ ভাঙি পৰাণ বহাগীহঁতক উটাই ডুবাই নগুৰ্ণাগতি কৰে বুলি।"

"ভয় নকৰিবা—যৌৱন-জোৱাৰে তোমাক উটাই নিব পাৰিলেই ধন্য হৈ ক্ষান্ত হব।"

"মিছা কথা। মোৰ দৃষ্টিত কবিৰ কল্পলোকৰ সৃষ্টি জাগি নুঠে। কুৰি শতিকাৰ কবি কালিদাস, স্বাগতম্। অপ্ৰিয়াৰ অনুৰোধ—এতিয়াই এই মুহূৰ্ত্ততে "যৌৱন-ভাটা" বা "যৌৱন-সমাধি" নামে এটি কবিতা লিখি ছপাই পৰাণ বহাগীহঁতৰ জীৱ দান দিয়ক। নহলে ময়েই "কবিতা-কবৰ"নামে কবিতা লিখি আপোনাৰ পাপৰ প্ৰায়শ্চিত্ত কৰিব লাগিব। বাঃ কি লিখন-ভঙ্গী! এই যে—

যৌৱন-জোৱাৰ উঠিছে গৰজি……"

"মল্লিনাথৰ মুখখন বন্ধ কৰা মীৰা" বুলি প্ৰণয়-কবিয়ে প্ৰেমত কঁপি উঠা আঙুলিবোৰ মীৰাৰ মুখত দিলে।

কল্পলোকৰ সৃষ্টি নামি আহিল। স্বৰ্গ ওচৰ চাপিল

ধুমুহা আহিল

গুৱাহাটীত ছিলেকছন কমিটি বহিবলৈ আৰু এদিন আছে। ৰায়বাহাদুৰে মিষ্টাৰ পি, বৰুৱাক মাতি নি কলে—কালিলৈ ১১ বজাত ছিলেক্‌ছন কমিটিৰ ছিটিং বহিব। মই তলে তলে সকলো যা-যোগাৰ কৰি ৰাখিছোঁ। তুমি মোৰ মনেৰে আজিয়েই "ট্ৰেণত" যোৱাই ভাল।

বৰুৱাই মীৰাৰ মুখলৈ চালে।

মীৰাই কলে—সেইটো হব নোৱাৰে পাপা। মই মিষ্টাৰ বৰুৱাক আমাৰ "হুইপেট কাৰত" তুলি নিজে ড্ৰাইভ্ কৰি লৈ যাম। লং ডিষ্টেন্সত কেনেকৈ জাৰ্কিং নোহোৱাকৈ ড্ৰাইভ কৰোঁ বৰুৱাই দেখিব। ছিটিং বহিব এঘাৰ বজাত। আমি ইয়াৰ পৰা পুৱা ৫ বজাত ষ্টাৰ্ট কৰিলেও ৭৫ মাইল ৰাস্তা অনায়াসে ৫ ঘণ্টাৰ ভিতৰত অতিক্ৰম কৰি গুৱাহাটী পামগৈ। এটা সুন্দৰ ট্ৰীপো হব।

মেৰীৰ কথাই ৰজিল।

পিছদিনা পুৱাতে

ভোঁ-ভোঁকৈ মটৰ চলিল। সেউজীয়া পথাৰ আৰু পাহাৰৰ মাজেদি গৈছে আকোৰা বেঁকোৰা আলিটি। তাৰ ওপৰেদিয়েই মটৰ চলিল।

পয়ষষ্টি মাইলৰ খুটি নৌ পাওঁতেই—শিলত ঠেকা খাই মটৰৰ ফ্ৰণ্ট হুইলৰ দুয়োটা চাকাৰ টায়াৰ, টিউব ভীষণ শব্দেৰে কাষৰ পাহাড়ত প্ৰতিধ্বনি তুলি ফাটিল। তাৰ লগে লগে মেৰী আৰু পি, বৰুৱাৰ মুখ শেতা হৈ পৰিল। দুয়োৰো মুখৰ পৰা মাথো ওলাল—"এতিয়া উপায়?"

ক্লান্ত অৱসন্ন দেহেৰে যেতিয়া গৈ দুয়ো গুৱাহাটী পালেগৈ

কমিটিৰ ছিটিং তাৰ এঘণ্টাৰ আগতেই শেষ হৈ গৈছিল।

বিপদৰ বাতৰি পাই ৰায় বাহাদুৰো আহিল। কমিছনাৰে সকলো শুনি মাথো কলে—"দুখ পালোঁ ৰায় বাহাদুৰ। ভাগ্যহীন যুবক।"

বিষাদ মনেৰে তেওঁলোক ঘৰলৈ ঘূৰিল।

ৰায় বাহাদুৰৰ ঘৰৰ সকলোটিৰে চকুত পীতাম্বৰলৈ এটা অৱজ্ঞাৰ ভাব—বিদ্ৰূপৰ ভাব ফুটি উঠিল।···

দিঠকৰ দাৰুণ আঘাতত পীতাম্বৰৰ মোহৰ সপোন ভাগি চূণ-চাত হ'ল। মাকক সুৱঁৰি—মিনতিক সুৱঁৰি তেওঁৰ শোক উতলি উঠিল। বেচেৰাই উচুপিলে,— সৰু লৰাৰ দৰে ফেঁকুৰিলে। চকুত চকুলো নোলাল।

মিনতিৰ মাকে লিখা চিঠিখনি উলিয়াই আকৌ তেওঁ পঢ়িলে।—"বিচাৰকৰ আসন শুৱাবলৈ গৈছা তুমি। কি দোষত মিনতিৰ প্ৰতি এনে অবিচাৰ কৰিলা?"

চিঠিৰ আখৰবোৰ কাল-সাপ হৈ তেওঁক ডাকিলে। শৰীৰ মন তেওঁৰ বিষাক্ত হৈ পাৰিল।···

ধ্বংসৰ আহিলা লৈ ধুমুহা আহিল।

চাকনৈয়া—নাও বুৰিল

সহানুভূতিৰ এটুপি চকুলো—সমবেদনাৰ এটা হুমুনিয়াহ বিচাৰি উন্মাদৰ দৰে উধাতু খাই পীতাম্বৰ যেতিয়া ঘৰ ওলালগৈ তেতিয়া তেওঁৰ জননীৰ জীৱনবন্তিৰ শলিতাগছি পুৰি প্ৰায় শেষেই হৈছিল। চৰণ দুখানি বুকুত সাবটি মাকৰ সেই শীতল শেঁতা মুখখনিলৈ হতভগীয়াই থৰ লাগি চায়েই ৰল। * * *

তাৰ পিছত?—গুৰিয়ালৰ অভাৱত পীতাম্বৰৰ জীৱন-তৰণী বহুমূলীয়া সমলেৰে সৈতে দাৰিদ্ৰ্য-সাগৰৰ ডকা চাকনৈয়াৰ পাকত বুৰি অদৃশ্য হল। * * *

বহল অসম

—শ্ৰীযুত দেবেশ্বৰ চলিহা, অসম সাহিত্য সভাৰ সম্পাদক

মোৰ বন্ধুবৰ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞাদেৱে "বৃহত্তৰ অসম"ৰ সম্পৰ্কে যোৱা এখন "আৱাহনত" আলোচনা কৰিবলৈ যাওঁতে, "বৃহত্তৰ" শব্দটো "ভাল নালাগে" বুলি "বৰ-আসাম" নাম দি তেখেতৰ প্ৰবন্ধ লিখে। "বৃহত্তৰ" শব্দটো বঙ্গালীসকলে তেওঁলোকৰ দেশ বঙ্গদেশৰ সীমা বহলাই বৃহৎ কৰি তুলিব খুজি কৰা আলোচনাৰ শব্দ, আৰু আমিও তেওঁলোকে ব্যৱহাৰ কৰা শব্দটোকে হুবহু লৈ "বৃহত্তৰ" অসম শব্দকে লৈছোঁ। আজিকালি বঙ্গালীয়ে ব্যৱহাৰ কৰা শব্দ, বঙ্গলা শব্দৰ ঠাঁচ এনেভাৱে আমি আমাৰ লিখাত সুমাই ব্যৱহাৰ কৰিবলৈ ধৰিছোঁহঁক যে কালক্ৰমত এইদৰে চলিলে আমাৰ ভাষা বঙ্গলা ভাষাৰ এটি ঠেঙ্গুলিমানত পৰিণত হবগৈ বুলি মনত বৰ আশঙ্কা জন্মিছে। এই বিষয়ে এতিয়া বাহুল্যকৈ নকৈ ভূঞাদেৱৰ এই "ভাল নলগা" বাবে তেখেতে "ৰাইজৰ ক্ষমা" বিচৰাতকৈ তেখেতৰ এই ভাবৰ বাবে শলাগ হে লব খোজো। আৰু তাৰ পৰা মোৰ হলে অলপ আশাৰ সঞ্চাৰ হৈছে বুলি কব খুজিলোঁ। আমাৰ আগৰ পুৰণি অসমৰ সীমা বৰ্ত্তমান ঠেক হৈ পৰাত আমি এতিয়া পুনৰ তাৰ সীমা বহলাব লগীয়াত পৰিছোঁ। গতিকে "বহল অসম" এই শব্দই "বৰ-আসাম" শব্দতকৈ বেছি অৰ্থবাচক হব বুলি ভাবি, এই প্ৰবন্ধত "বহল অসম" দিহে সেই বিষয়ে অলপ আলোচনা কৰিব খুজিছোঁ। ভূঞাদেৱে যেন মোক ক্ষমা কৰে।

ৰংপুৰ, কোঁচবিহাৰ, জলপাইগুৰি আৰু তাৰ ওচৰা-উচৰি আন আন বহুত ঠাই যে আমাৰ অঙ্গহি-বঙ্গহিৰ ঠাই তাক পুৰাকালৰ কামৰূপৰ কথা আৰু ভৌগোলিক

সীমা দেখুৱাই আলোচনা কৰাৰ আৰু আৱশ্যক নকৰে। সেই ঠাইবিলাকৰ মানুহৰ লগত আমাৰ আধুনিক মাত্ৰ বিচ্ছেদ ঘটিছে। মই কলেজত পঢ়োতে কোঁচবিহাৰত বছৰদিয়েক থাকিবলৈ পাইছিলোঁ। তাত তাৰ বাসিন্দা মানুহ আৰু জলপাইগুৰিৰ বাসিন্দা মানুহবিলাকৰ বিশেষকৈ ৰাজবংশী বহুত মানুহ আৰু ছাত্ৰৰ লগত চা-চিনাকী হৈ তেওঁলোকৰ মনৰ ভাব সম্পূৰ্ণ বুজিব পাৰিছিলোঁ। আমাৰ দৰেই তেওঁলোকৰো আমালৈ এটা আপোন ভাবৰ টান আছিল। গাৱঁৰ মানুহে প্ৰায় অসমীয়া ভাষাকে কয়, যদিও সি অলপ খিচিৰি যেন হৈ পৰিছিল। আমাৰ খাছ শব্দ বহুত হুবহু কোৱা শুনিবলৈ পাই আমাৰ দেশৰ ইংৰাজৰ আমোলৰ আদি দিন কেইটালৈ মনত পৰিছিল। আমাৰ দেশতো আদিতে যেনেকৈ বঙ্গলা ভাষাই শিপাই লৈছিল আৰু আমাৰ আগৰ পুৰুষত যেনেকৈ খিচিৰি অসমীয়া লিখিবলৈ ধৰিছিল, আৰু দিনদিয়েক সেইদৰে বঙ্গলা ভাষাৰ আধিপত্য থকা হলে ঠিক সেইদৰেই তেওঁলোকৰ দশাই আমাৰো দশা হলহেতেন, তাকে ভাবি মনত বৰ দুখ লাগিছিল। তেওঁলোকে যে আমাৰ খাছ শব্দকে ব্যৱহাৰ কৰা শুনিবলৈ পাইছিলো এনে নহয়, আমাৰ কথাৰ ঠাঁচ, যোজোনা, পটন্তৰ দুটা-চাৰিটা শুনা মোৰ মনত পৰে। অসমীয়া ভাষাৰ ক্ৰিয়া পদত ব্যৱহাৰ হোৱা "না" কথাটো তেওঁলোকে বঙ্গালীৰ দৰে আগত পাছত ব্যৱহাৰ নকৰি অসমীয়াৰ দৰে আগত ব্যৱহাৰ কৰিছিল। অৰ্থাৎ "যাব না", বা "যাওঁনা" নুবুলি "নাযাওঁ" বা নাযাং, নাথাং ইত্যাদি ব্যৱহাৰ কৰিছিল। আৰু তেওঁলোকক ঠিক অসমীয়াৰে কথা কলে বঢ়িয়াকৈ বুজে, এবাৰ কলে আৰু দুবাৰ কবৰ আৱশ্যকতা নহৈছিল। কোঁচবিহাৰত মহাপুৰুষীয়া সত্ৰ আছে, আৰু তাৰ মানুহৰো সেই সত্ৰ বিলাকৰ প্ৰতি আস্থা যদিও বহুত কমি অহা যেন দেখা গৈছিল, কিন্তু সত্ৰৰ কথা কলে সদাই বৰ ভক্তি আৰু এটা আন্তৰিক মৰমেৰে কোৱা যেন লাগে। টৰ্চা নৈৰ দাঁতিত ভেলা সত্ৰত আমি নগাৱঁৰ বৰদোৱাৰ ভকতৰ লগত কোঁচবিহাৰৰো জনদিয়েক মানুহ দেখা পাইছিলো মধুপুৰ সত্ৰতো অসমীয়া ভকতে নামকীৰ্ত্তন কৰা শুনিবলৈ পাইছিলোঁ। এই সত্ৰবিলাকত আমাৰ দৰে নাম-কীৰ্ত্তন আৰু ঘোষা পাঠ কৰিছিল। বঙ্গদেশৰ শক্তি পূজাই তাৰ মানুহৰ মন একো আকৰ্ষণ কৰিব পৰা নাই। নগৰৰ পৰা আঁতৰ হলেই গাওঁ-ভূইবোৰ তেনেই অসমীয়া যেন লাগে। আৰু মানুহবিলাকৰ অ-বঙ্গলুৱা ৰীতি-নীতিও আমাৰ দৰেই বহুত আজিপৰিমিত মিল আছে। খোৱা-লোৱাতো অসমীয়াৰ লগত বেছি মিল লাগে। কলগছ পুৰি খাৰ খোৱা, কুঁজীথেকেৰা শুকাই টেঙ্গা খোৱা তেতিয়াও তাত দেখিবলৈ পাইছিলো। মোৰ লগতে এজন ৰাজবংশী লৰাই কলেজত পঢ়িছিল। তেওঁ কোঁচবিহাৰ মহাৰাজৰ বংশৰ সৈনিক বিভাগত কাম কৰা এগৰাকী কৰ্ম্মচাৰীৰ জীয়েকক বিয়া কৰাইছিল। তেওঁ আমাৰ লগত বৰ মিলা-প্ৰীতিৰে চলিছিল। খোৱা-লোৱাও ভ্ৰাতৃ-কুটুম্বৰ লগত হোৱাৰ দৰে চলিছিল। তেওঁ বঙ্গালীসকলৰ পৰা তেওঁলোকৰ মানুহে অনেক কথাত আৰু নানা অৱস্থাত সদাই অসুবিধা পাই আছিল, তাক সদাই মোৰ লগত আলোচনা কৰিছিল। আৰু তাৰ প্ৰতিকাৰৰ বাবে আমি দুয়ো কিবা-কিবি কৰিবলৈকো বাকী ৰখা নাছিলো।

আমাৰ লগত তেওঁলোকৰ এই অস্বাভাৱিক বিচ্ছেদ ঘটাৰ বিষয়ে আজি দিনদিয়েকৰ পৰা আমাৰ মানুহে অলপ-অচৰপ ভাবিবলৈ ধৰিছে। সেই বিচ্ছেদৰ দুখো আলোচনা কৰিবলৈ আগ বাঢ়িছে। কি উপায়েৰে আৰু কেনেকৈ তেওঁলোকক আকৌ আমাৰ লগত লগ লগাব পাৰি তাৰো উপায় চিন্তিবলৈ ধৰিছে। তাৰে ফলস্বৰূপে যোৱা অসম সাহিত্য সভাৰ বছেৰেকীয়া সম্মিলনীৰ অধিবেশনত এই বিষয় লৈ বিশদৰূপে আলোচনা হয়। আৰু তাত উপস্থিত থকা সভ্যমণ্ডলীৰ ভিতৰত এটা বৰ উৎসাহ আৰু উদ্বিগ্নতাৰ ধ্বনি শুনা গৈছিল। সেই সেই ঠাইবিলাকৰ মানুহ আমাৰ ভিতৰলৈ আকৌ আনি তেওঁলোকৰ ঠাইবিলাকো পুৰণি কামৰূপৰ দৰে বৰ্ত্তমান অসমৰ ভিতৰত সুমাই এখন বহল বা ডাঙৰ অসম দেশ কৰিবলৈ উপায় বিচাৰি এটা প্ৰস্তাবো সম্মিলনীত বৰ আগ্ৰহেৰে গৃহীত হয়। প্ৰস্তাবটো এই—

"প্রস্তাবিত নতুন শাসন তন্ত্রত ভাষাৰ ক্ষেত্রিত ভাৰতৰ প্রদেশবিলাকৰ সীমাৰ লাল-সলনি কৰাৰ কথা চলিছে। এই সুযোগতে অসমৰ লগত ভাষাৰ বাহিৰেও কৃষ্টি, বুৰঞ্জী আদি বিষয়ত বিশেষ ঘনিষ্ট সম্পর্ক থকা পুবণি কামৰূপৰ অঙ্গ ৰংপুৰ, কোচবিহাৰ, জলপাইগুৰি আদি জিলাবিলাক পুনৰ অসমৰ ভিতৰলৈ আনিবলৈ আমাৰ দেশত প্রবল আন্দোলন চলাব লাগে আৰু সেইবিলাক ঠাইৰ বিশিষ্ট অধিবাসীসকলৰ মতামত অনুসাৰে তাৰ জনসাধাৰণক এই বিষয়ে সজাগ কৰিবলৈ তলত লিখা সভ্যসকলেৰে এটি কমিটি গঠিত হওক। এই কমিটিৰ আৱশ্যক অনুসাৰে তাত পুস্তিকা আদি বিতৰণ কামৰ খৰচ সাহিত্য সভাই বহন কৰক।"

সভ্য :—

১। শ্রীযুত নগেন্দ্র নাৰায়ণ চৌধুৰী
২। ৰায়বাহাদুৰ শ্রীযুত আনন্দচন্দ্র আগৰৱালা
৩। শ্রীযুত লক্ষ্মীনাথ বেজবৰুৱা
৪। „ কমলাকান্ত ভট্টাচার্য্য
৫। „ নীলমণি ফুকন
৬। „ প্রমথনাথ চক্রবর্ত্তী
৭। „ তৰণৰাম ফুকন
৮। ডাঃ „ দীননাথ শর্ম্মা

অৰশ্যতে ভাৰতত নতুন শাসন তন্ত্র প্রণালী ঘটিব আৰু তাত একে ভাষা কোৱাৰ প্রজাবিলাকক গোটাই একোখন প্রদেশ গঠন কৰিব খোজা ভাব শাসন-তন্ত্রকাৰী-সকলে মত দিয়ে। উৰিষ্যা প্রদেশত উড়িয়া ভাষা কোৱা মানুহ, বঙ্গদেশ আৰু মান্দ্রাজৰ কিছু কিছু ঠাইত বহুত আছিল। ওপৰত কোৱা মতৰ কথা কাৰ্য্যত পৰিণত কৰিবলৈ, উৰিষ্যা প্রদেশৰ সীমা বহলাই আৰু লৰচৰ কৰি এক ভাষা—উড়িয়া ভাষা কথকীয়ৈ এখন প্রদেশ কৰিবলৈ গৱৰ্ণমেণ্টে এক প্রকাৰ স্থিৰ কৰিলে আমিও অসমীয়া ভাষা কোৱা বা যাৰ অসমীয়া ভাষাত দাবি আছে, তেওঁলোকৰ সকলো মানুহৰ এখন দেশ কৰিবলৈ, আমি সকলোৱে সাহিত্য সভাৰ ওপৰতে সম্পূর্ণ নির্ভৰ নকৰি চাবিউফালৰ পৰা যত্নবান হোৱা উচিত। কিন্তু আমাৰ ভাগ্যত অসম প্রদেশতে অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যাই, অসমীয়া মানুহৰ উদাসীনতাৰ ওপৰেই লাহে লাহে কমি আহিবলৈ যত্ন হোৱাৰ আগন্তুক দেখা গৈছে। গোৱালপাৰা আৰু কাছাৰ জিলাত, ব্রহ্মপুত্র উপত্যকাৰ আন আন জিলাৰ দৰে বহুত বঙ্গালী মানুহ বসতি আছে। কিন্তু এই দুখন ঠাইৰ অধিবাসীসকলৰ ভিতৰত উচ্চশিক্ষাৰ তিমান উন্নতি নোহোৱাৰ কাৰণেই হওক, বা অসমৰ আন আন ঠাইৰ মানুহৰ এওঁলোকৰ প্রতি উদাসীন ভাব থকাৰ কাৰণেই হওক, এই জিলা দুখনত আজিলৈকে কাছাৰি, স্কুল আদিত বঙ্গালী ভাষা চলি আছে, আৰু এই ঠাই দুখন বঙ্গাল দেশৰ বুলি পৰিচয় দিবলৈ বঙ্গালীয়ে সদায় সাহ কৰি আছে। গোৱালপাৰা আৰু কাছাৰ এই দুখন জিলাৰ অধিবাসীবিলাক যেনে আমাৰ ভিতৰৰ মানুহ ৰংপুৰ, কোচবিহাৰ আৰু জলপাইগুৰিৰ অধিবাসীবিলাকো ঠিক তেনেকুৱা আমাৰ ভিতৰৰে মানুহ। ইংৰাজে প্রথম শাসন বিস্তাৰ কৰোতে ৰংপুৰ, কোচবিহাৰ আদি ঠাই প্রথম প্রথমে বঙ্গদেশৰ লগত চামিল হৈ শাসিত হৱলৈ পায় আৰু অকল সেই কাৰণেই সেই সেই ঠাই কেইখন বঙ্গদেশৰ লগত যুক্ত হৈ পৰি ঠাই কেইখন বঙ্গাল দেশৰ লগত পৰিগণিত হল, আৰু ভাষাও বঙ্গলা চলিত হৈ পৰিল—যেনেকৈ আমাৰ দেশখনে ইংৰাজৰ প্রথম আমোলত বঙ্গালৰ লগ বুলিহেই পৰিগণিত হৈছিল আৰু বঙ্গলা ভাষা চলিবলৈ সম্পূর্ণ কাৰবাৰ চলিছিল। আমাৰ দেশতো তাহানিৰ অসমীয়া ভাষাৰ অস্তিত্ব ৰাখিবলৈ আৰু দেশত অসমীয়া ভাষা চলাবলৈ, কিমান যত্ন কৰিব লগীয়া হৈছিল তাক সকলোৱে জানিয়ানাম মনত আছে। এতিয়া লোকৰ দেশৰ গৰা আমাৰ মানুহ উদ্ধাৰ কৰিব লগীয়া হৈছে। এই কাম কিমান টান, আৰু ইয়াত কিমান বাধা-বিঘিনি আছে তাক এবাৰ দেকৈ ভাবি চোৱা উচিত। এটা প্রস্তাব এখন সভাত গ্রহণ কৰি, তাকে আমাৰ নিজৰ কাকতে পত্রই (তাকো মাজে-সময়ে আৰু মন গলে) লিখাদিখি কৰি আলোচনা কৰিলেই যে কিবা কাম হব তাকো সকলোৱে ভালকৈ বিবেচনা কৰি চাব। এই স্থানৰে

আমাৰ কিমান উৎসাহ, কিমান বল আৰু কিমান ধাউতি আছে? গোৱালপাৰা আৰু কাছাৰ এই জিলা দুখনৰ কথা নৈয়ে আমাৰ বল আৰু উৎসাহৰ জোখৰ পৰিমাণৰ প্রমাণ হয়। গোৱালপাৰা জিলাৰ কথা নকলেও, কাছাৰ জিলাখন বঙ্গালীয়ে নিজৰ জিলা বুলি কাকতে-পত্রে, কাছাবতে সভা-সমিতি পাতি বঙ্গালী বোলাবলৈ চিৰ্ব্বিব লাগিছে। আমি ইয়াৰ প্রতিকাৰ স্বৰূপে কিবা কৰিছো নে? গোৱা বছৰ অসম সাহিত্য সভাৰ পৰা শ্রীযুত শ্রীধামচন্দ্র বসন হাতত সৰু সৰু কিছুমান কিতাপ তাবাপুৰ আৰু ৰাত থকা আন আন অসমীয়া গাওঁবিলাকৰ মানুহৰ মাজত বিলাই দিবলৈ আৰু তেওঁলোকৰ লগত নিয়মিতকে ব্যক্তিগতি প্রীতিৰ ভাব বঢ়াবলৈ পঠাই দিয়া হৈছিল। তাবাপুৰ মান-ভগনত ভাগি যোৱা অসমীয়া মানুহৰ গাওঁ, আৰু তাৰ মানুহবিলাক এতিয়ালৈকে সম্পূর্ণ অসমীয়া হৈ আছে। কিন্তু কাছাৰ জিলাৰ ভিতৰৰ অধিবাসী কচাৰী প্রজাবিলাকৰ হৈ আমাৰ ফালৰ পৰা কিবা কৰা আজিলৈকে দেখা নাই। একে দেশৰ ভিতৰতে থকা এইবিলাক মানুহৰ প্রতি যদি আমি ইমান উদাসীন হৈ থাকিব পাৰিছোঁহক, তেন্তে বঙ্গদেশত যুক্ত হৈ থকা ইমান দিনে বঙ্গালী বুলি পৰিগণিত হোৱা ৰংপুৰ, কোচবিহাৰ আৰু জলপাইগুৰিৰ মানুহৰ প্রতি আমাৰ মানুহৰ কিমান অনুৰাগ হব তাক সহজে অনুমান কৰিব পাৰি।

তৃতীয় বছৰৰ ১ম সংখ্যা আৱাহনত এজন চিন্তাশীল লেখকে এই বিষয়ে আলোচনা কৰোঁতে অসম সাহিত্য সভালৈ আঙুলিয়াই কৈছিল যে এই ঠাইৰ "অসমীয়া অধিবাসীবিলাকৰ বিষয়ে আমাৰ সভাই কোনো বাৰত্বা কৰা নাই।" আৰু তেখেতে সেই কাৰণেই অনুমান কৰিছিল যে কাছাৰৰ মানুহবিলাকক ছিলটীয়া এজনে বঙ্গালী বুলি কোৱাত "সাহিত্য সভাই যথাযথ উত্তৰ দি ছিলটীয়াজনৰ মুখ মাৰিব নোৱাবিলে।" অসম সাহিত্য সভাই এই বিষয়ে বহুত কৰিব পাৰে বুলি আমি মানিছোঁ, আৰু বাস্তবিকে কৰাও উচিত। অসম সাহিত্য সভাখনেই হৈছে গোটেই প্রদেশত একমাত্র সাহিত্য বিষয়ক সভা। অসমীয়া সাহিত্য প্রচাৰ কৰা, সাহিত্যৰ উন্নতি কৰা—সকলো প্রকাৰ কাম অসম সাহিত্য সভাই হাতত লললে আন কোনে লব?

অসম সাহিত্য সভাৰ যোৱা বছৰেৰীয়া সম্মিলনীত এই বিষয়ে আলোচনা কৰা কথা ওপৰত উল্লেখ কৰি আহিছোঁ। আৰু সেই বিষয়ে কার্য্যকৰী উপায় নির্দ্ধাৰণ কৰিবলৈ এটি সমিতি ৭ জন সভ্যেৰে গঠিত হোৱাৰ কথাও আগত উল্লেখ কৰা প্রস্তাৱতে দিয়া হৈছে। সমিতিৰ সভ্য আটাইকেইগৰাকীয়েই দেশৰ অগ্রগণ্য নেতা। আমি সাহিত্য সভাৰ পৰা তেখেতসকলৰ প্রত্যেকজনলৈকে সেই বিষয় উল্লেখ কৰি, কেনে উপায় অৱলম্বন কৰি সমিতিয়ে কার্য্য আৰম্ভ কৰিব পৰা হব তাক সুধি পঠাওঁ। কথাটো গধুৰ কাৰণে আমি আটাই কেউজনৰ পৰা ততালিকে উত্তৰ পাম বুলি অৱশ্যে আশা কৰা নাছিলোঁ, আৰু বাস্তবিকতে শ্রীযুত কমলাকান্ত ভট্টাচার্য্য, ৰায়বাহাদুৰ শ্রীযুত আনন্দচন্দ্র আগৰৱালা আৰু শ্রীযুত নগেন্দ্র নাৰায়ণ চৌধুৰী ডাঙৰীয়ৰ পৰাহে আজিলৈকে সেই বিষয়ে গবেষণাপূর্ণ আলোচনা পাইছোহক। পোন্ধা আলোচনাৰ ভিতৰত ৰায় বাহাদুৰ শ্রীযুত আনন্দচন্দ্র আগৰৱালা ডাঙৰীয়াই লিখিছে—(১) "জলপাইগুড়ি মেছপ্রধান জিলা, আমাৰ বড়ো জাতিৰ মানুহে চেষ্টা কৰিলে জলপাইগুড়িৰ বড়োসিকলক অসমৰ লগত মিলিবলৈ মাস্তি কৰাব পাৰে। এই মিলনৰ পৰা প্রায় সকলো বড়োজাতি এক প্রদেশবাসী হৈ তেওঁলোকৰ জাতিটো শক্তিশালী কৰিব পাৰিব। গোৱালপাড়া জিলাৰ বড়ো সভাই এই বিষয়ে চেষ্টা কৰিব পাৰে।" (২) "ৰংপুৰ, কোচবিহাৰ আৰু জলপাইগুড়িৰ মানুহবিলাকৰ মনত পুৰুষযুতি আৰু অন্তৰত আত্মসম্মান জগাই তুলিব লাগিব। তাকে কৰিবলৈ হলে পুবণি কামৰূপৰ বিষয়ে সৰু সৰু পুথি লিখি সেই অঞ্চলৰ শিক্ষিত সমাজত বিলাব লাগিব আৰু তাৰ লগে লগে তাত সেই বিষয় লৈ বক্তৃতাও দিব লাগিব।" (৩) "মই "অসমৰ পুৰাবৃত্তি" নামে এক চিবিজ প্রবন্ধ লিখি 'বাহীলৈ' পঠাইছোঁ। এই প্রবন্ধাৱলী সম্পূর্ণ হলে 'বাহীত' ওলোৱাৰ পাচত পুথিৰ আকাৰেৰে ছপাবৰ ইচ্ছা আছে। সেই

পুথিৰ পৰা প্ৰচাৰ কাৰ্য্যত সহায়তা পোৱা যাব।" (৪) "আসাম সাহিত্য সভাবিলাকৰ সম্পাদকসকলক সন্মিলনৰ অধিবেশনলৈ নিমন্ত্ৰণ কৰিব পাৰে। ধুবুৰীত বহা সাহিত্য সন্মিলনলৈ কোচবিহাৰ সাহিত্যসভাৰ সম্পাদক নিমন্ত্ৰিত হৈ আহিছিল। তেওঁৰ লগত আলাপ কৰি তেওঁৰ আমালৈ সহানুভূতি থকা জানিব পাৰিছিলোহঁক।" (আমিও শিৱসাগৰৰ সন্মিলনীলৈ তেখেতক নিমন্ত্ৰণ কৰিছিলো। কিন্তু সন্মিলনীত তেখেত উপস্থিত হব নোৱাৰিলে।)

ৰায়বাহাদুৰ শ্ৰীযুত কনকলাল বৰুৱা ডাঙৰীয়াই "Early History of Kamrup" নামে এখন পুথি লিখিছে। অলপতে ছপা হব। সেই পুথি ছপা হৈ ওলালে আমাৰ প্ৰচাৰ কাৰ্য্যত সহায়তা পোৱা যাব।

শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য ডাঙৰীয়াই লিখিছে যে "মহাপুৰুষীয়া ধৰ্ম্ম প্ৰবৰ্ত্তন কৰোৱাৰ অৰ্থে স্বাৰ্থত্যাগ কৰি কিছুমান দেশপ্ৰেমিক শিক্ষিত ডেকা কোমৰ বান্ধি ওলাওক। ডেকাসকলে ধনীসকলৰ পৰা উৎসাহ পালে সঙ্ঘবদ্ধ হৈ কামত লাগি যাওক। ধৰ্ম্ম আৰু ভাষা প্ৰচাৰ একেলগে হব লাগে আৰু তাৰ নিমিত্তে ৰংপুৰ, কোচবিহাৰ, জলপাইগুৰিলৈ কেবাজনো বি, এ, এম, এ পাচ কৰা ডেকা ওলাইছে। অসম সাহিত্য সভাই যদি এই শিক্ষিত ডেকাসকলক বাট খৰচ আৰু খোৱা খৰচৰ যোগাৰ দিব পাৰে তেনেহলে মহাপুৰুষীয়া ধৰ্ম্ম আৰু অসমীয়া ভাষা প্ৰচাৰ কাম হৈ ৰংপুৰ, কোচবিহাৰত ভাব ৰাজ্য স্থাপন হব।" ইত্যাদি।

শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী মহাশয়ে কয় যে "এই প্ৰস্তাৱটো সাহিত্যৰ সীমা এৰি ৰাজনীতিত সোমাইছেগৈ। গতিকে ৰাজনৈতিক দলৰ সাহায্য লোৱা উচিত। জলপাইগুৰি, কোচবিহাৰ আৰু ৰংপুৰ জিলাত কিছুমান সৰু কিতাপ (বঙ্গলা ভাষাত) বিলি কৰি মানুহৰ মত গঠন কৰিবৰ চেষ্টা কৰাৰ ভাৰ মই লবৰ নিমিত্তে প্ৰস্তুত আছোঁ। কোৱা বাহুল্য ছপা আৰু বিতৰণ কৰাৰ খৰছ সাহিত্য সভাৰ পৰা দিব লাগিব।"..."তাৰ পিছত কিছুমান বক্তা পঠিয়াব পাৰিলে বহুত কাম হব। লগে লগে সেই মানুহকো এই কামত নিয়োগ কৰিব লাগিব। তাতো কিছু অৰ্থ সাহায্য দৰকাৰ হব পাৰে" ইত্যাদি।

আমি এই তিনি গৰাকী সমিতিৰ সভ্যৰ পৰা যি জানিব পাৰিছোহঁক আৰু আমাৰ মতেৰেও, এই কাৰ্য্য হাতত লবলৈ আমাক বহুত অৰ্থৰ প্ৰয়োজন হব। কিতাপ লেখা, কিতাপ ছপোৱা, ৰংপুৰ, জলপাইগুড়ি আদিলৈ গৈ সেই কিতাপ বিতৰণ কৰা, আৰু ভাল ভাল জনা বুজা মানুহ সেই সেই ঠাইলৈ পঠোৱা আৰু তাত থাকি লৈ বক্তৃতা আদি দিয়া—এই বিষয়ক কামত আমাক হাজাৰচেৰেক টকাৰ পুঁজি লাগে। নহলে এই কাম হাতত লোৱাটো ভেকো-ভাৱনা কৰা হব মাত্ৰ।

কিন্তু অতি দুখৰ বিষয় অসম সাহিত্য সভাৰ ভৰালত বৰ্ত্তমান অৰ্থৰ পুঁজি তেনেই পাতল। গৱৰ্ণমেণ্টে আগেয়ে বছৰি ৩০০০৲ হাজাৰ টকাকৈ অৰ্থ সাহায্য দিছিল, কিন্তু যোৱা দুবছৰ—এই চলিত বছৰ আৰু আগৰ বছৰ টকা অনাটন হোৱা কাৰণে কোনো টকা দিব পৰা নাই। ইপোনে দেশত জগত জুৰি বাণিজ্য বিপ্লৱ। কোনো ব্যৱসায়তে টকাৰ আয় নোহোৱা গতিকে, দেশৰ লোকেল বোৰ্ড আৰু মিউনিচিপেল বোৰ্ডৰ বেছি ভাগে আগৰ জোখেৰে কৰা সভালৈ দান এতিয়া দিব পৰা নাই। সভাৰ সভ্যৰ বৰঙনিৰ পৰা সকলোৱে দিলেও নো কিমান টকা উঠিব তাক সহজে অনুমান কৰিব পাৰি। এই বিলাক কাৰণৰ বাবেই আমি এই বছৰৰ আদিতে ব্যয় সঙ্কোচ কৰিবৰ অৰ্থেৰে আমাৰ সভাৰ এষ্টাবলিচ্‌মেণ্ট চাৰ্জ কমাবলৈ সভাৰ কৰ্ম্মচাৰী এজনৰ বাব উঠাই দিয়া হল। সাহিত্য সভা পত্ৰিকাখনো অৰ্থৰ অভাৱত সুদিন উপস্থিত নহয়মানে বন্ধ কৰি ৰাখিবলৈ বাধ্য হৈছোহঁক। ইতিপূৰ্ব্বে হাতত লোৱা কাম—যেনে (১) বুৰঞ্জীমূলক কিতাপ প্ৰতিযোগিতাত পুৰস্কাৰ দিয়া আদি বহুত কাম আমি হাতত লৈ এৰিব নোৱাৰা হৈছো। এই সকলো খিনি কাম হবই লাগিব। কোনো কাম এৰা পৰিব নোৱাৰে। এতেকে সকলো চিন্তাশীল ব্যক্তিয়ে এই কাম অসম সাহিত্য সভাৰ পৰা কেনেকৈ হব পাৰে তাক আলোচনা কৰি সভাৰ অৰ্থৰ ভৰাল কেনেকৈ বৃদ্ধি কৰিব পাৰি তাৰ উপায় চিন্তা কৰা উচিত। আমাৰ দেশ যে বাস্তৱিকতে তেনেই দুখীয়া এনে হব নোৱাৰে। অন্যান্য দেশত একোজন জমিদাৰে বা একোজন গৱৰ্ণমেণ্টৰ কৰ্ম্মচাৰীয়ে বা অৱসৰপ্ৰাপ্ত গৱৰ্ণমেণ্টৰ কৰ্ম্মচাৰীয়ে একোটা কামৰ বাবে বহুত টকা দান দি সভাৰ হতুৱাই অজস্ৰ দেশৰ কাম কৰাব লাগিছে। আমাৰ দেশ ইমান নিঃকিন নহয় বুলি মই আশা কৰোঁ যে অৰ্থৰ অভাৱত দেশৰ এই ডাঙৰ কামবিলাক পৰি থাকিব পাৰে।

আমাৰ দেশত জমিদাৰ নাই যদিও চাহ বাগিচাৰ গৰাকী চহকী মানুহ আৰু গৱৰ্ণমেণ্টৰ চহকী কৰ্ম্মচাৰী অনেক আছে। ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া যদিও বৰ ডাঙৰ চাহ বাগিচাৰ গৰাকী নহয়, তেখেতৰ দেশানুৰাগিতা আমাৰ সকলোৰে আদৰ্শ হোৱা উচিত। যোৰহাটত ১৬,১৭ হাজাৰ টকাৰে এটি সুন্দৰ ঘৰ সাজি অসম সাহিত্য সভাক গতাই দি অসমীয়া ভাষাৰ এখন ডাঙৰ অভিধান নিজখৰছেৰে সঙ্কলন আৰু ছপা কৰি প্ৰকাশ কৰিবলৈ সাহিত্য সভাক ভাৰ দিয়া কাম কম গুৰুতৰ কাজ নহয়। গতিকে আমাৰ দেশত টকা নাই বুলি কব নোৱাৰি, দেশ-প্ৰেমিকতাৰ কিছু অভাৱ বুলি কব পাৰি মাত্ৰ। কিন্তু এনে সময়ত অসমীয়াৰ অস্তিত্ব ৰাখিবলৈ আৰু অসমীয়াৰ গৌৰৱ বঢ়াবলৈ কোনো চহকী অসমীয়াই হাত সাবটি বহি নাথাকিব বুলি আমাৰ দৃঢ় বিশ্বাস। আমি এই আশা কৰিয়েই আজি সকলোৰে আগত সদৌ অসমীয়া ৰাইজৰ আকাঙ্ক্ষা আৰু অসম সাহিত্য সভাৰ মুখেদি ফুটি ওলোৱা এটি গধুৰ প্ৰস্তাৱৰ বিষয়ে আলোচনা কৰিবলৈ আগবাঢ়িলো। সাহিত্য সভাত আলোচনা কৰা আন আন লাগতিয়াল প্ৰস্তাৱৰ বিষয়েও আমাৰ এইদৰে ৰাইজৰ আগত পিছলৈ ডাঙি ধৰিবলৈ ইচ্ছা আছে।

মহিলা জগত





ভিন ভিন দেশৰ তিৰুতাৰ সাজপাৰত ভিন ভিন ৰুচি

সম্পাদকীয়

লণ্ডনত মিঃ ভিলিয়ার্চ আৰু 'ডেইলি টেলিগ্ৰাফ'ৰ প্ৰচাৰ কাৰ্য্য—আৰু ভাৰতৰ সম্প্ৰদায়িকতাবাদীসকল

ভাৰতৰ য়ুৰোপীয়ান এচোছিয়েশ্যনৰ প্ৰেচিডেণ্ট মিঃ এডৱাৰ্ড ভিলিয়াৰ্চ লণ্ডনলৈ যাবৰ আজি কিছুদিন হল। তাত তেওঁ নানা কথা প্ৰচাৰ কৰিব লাগিছে। অলপতে তেওঁ তাৰ ডেইলি টেলিগ্ৰাফ (Daily Telegraph) কাকতৰ প্ৰতিনিধিৰ আগত যি বিবৃতি দান কৰিছিল সেই কাকতত তাক প্ৰকাশ কৰা হৈছে আৰু তাৰ লগে লগে কাকতৰ পক্ষৰ পৰাও সেই বিষয়ে যোৱা ২০ মে তাৰিখৰ ডেইলি টেলিগ্ৰাফত মতামত দিয়া হৈছে। আন বহুত কথাৰ লগত ২য় ৰাউণ্ড টেবল কন্‌ফাৰেন্সত হোৱা "মাইনৰিটি পেক্ট" সম্বন্ধে এনেদৰে লিখা হৈছে—

"What Europeans fear, as do Moslems also, is that the Government may not fully realise the importance of what was, in effect, a minorities Bill of Rights setting out in detail the points on which they are required security, including separate electorates, statutory majorities in certain legislatures, and for Europeans, equal rights to those enjoyed by Indians in all branches of industrial and commercial activities." এনে ভয়ৰ লগে লগে মিঃ ভিলিয়াৰ্চৰ লগতে সুৰ মিলাই ডেইলি টেলিগ্ৰাফেও গভৰ্ণমেণ্টক সোৱৰাই দিছে—The government, mainly pre-occupied as it may be with the claims of Indian communities in considering the terms of a communal settlement, is found to give not less weight to those of the 100,000 non-official members of our own race in British India. That their rights and livelihood would be endangered in the absence of constitutional protection is certain, and Mr. Villier's timely reminder must receive the attention it demands.

এইবিলাক যি কি নহক মিঃ ভিলিয়াৰ্চৰ "Europeans in India, did not now regard themselves as an Indian minority. They were a race apart, and the status claimed who that of representatives of the British people" এই কথাত আমাৰ সাম্প্ৰদায়িকতাবাদীসকলৰ কি দুৰ্দ্দশা হব পাৰে সেয়ে ভাবিব লগীয়া কথা হৈছে, কাৰণ এই সম্প্ৰদায়বিলাকে ভাৰতৰ ইংৰাজসকলৰ লগত যি "মাইনৰিটি পেক্টত" চহী কৰিছিল সেই "মাইনৰিটি পেক্ট" সম্বন্ধে তাৰ অন্যতম কৰ্ত্তা মিঃ বেন্‌থলৰ বিবৃতি আৰু ৰয়েলিষ্ট এচোছিয়েশ্যনৰ ইস্তাহাৰৰ পিছতো যিখিনি আশা আছিল মিঃ ভিলিয়াৰ্চৰ এই কথাৰ পৰা সিখিনিও শেষ হল।

শ্ৰদ্ধাঞ্জলি—

আজি গোটেই অসমত শ্ৰীযুত দুৰ্গেশ্বৰ গোস্বামী দেওৰ মৃত্যু উপলক্ষে বিষাদে নধৰা হৈছে। অসমীয়া জাতি মাজতে আত্মবিস্মৃত হৈ কিছুকাল থাকিলেও তাৰ উজ্জ্বল অতীতৰ উদাৰতা, মহানতা, বিশালতা সুৱঁৰি সি আজি আকৌ তেনেদৰে ভবিষ্যত গঢ়িবলৈ আগ বাঢ়িছে। এই অভিযান যেনে সুকঠিন তেনে গুৰু দায়িত্বপূৰ্ণ। গোসাঁই

দেও আছিল এই দায়িত্বপূৰ্ণ অভিযানৰ কৰ্ত্তব্যপৰায়ণ আগৰণুৱা। তেওঁৰ কৰ্ত্তব্যজ্ঞানে, তেওঁৰ মনৰ উদাৰতাই তেওঁক অসমৰ দাঁতি-কাষৰীয়া জাতিৰ মাজত হিন্দুধৰ্ম্ম প্ৰচাৰৰ কাৰ্য্যত ব্ৰতী কৰাইছিল। তেখেতে ধৰ্ম্ম প্ৰচাৰ কৰাৰ লগে লগে সেইবিলাক মানুহৰ মাজত অসমীয়া ভাষা প্ৰচাৰ কৰিলে বৰ ভাল হলহেতেন বুলি কিছুমানে কোৱা শুনা গৈছিল। কিন্তু এইটো পাহৰিলে নচলিব যে তেনে কাজ কৰিবলৈ বাধা কম নহয়। গোসাঁই-দেৱে এইবিলাক জাতিৰ মাজত হিন্দুধৰ্ম্ম প্ৰচাৰ কৰিবলৈ হিন্দু মিশ্যনৰ কৰ্ম্মীৰূপে কাম কৰিছিল। কিছুমানে ইয়াতেও এটা কথা তোলা শুনা গৈছিল—শঙ্কৰদেৱে সেই যুগতে গাৰো, মিকিৰ, ৰাভা আদিক অকল বৈষ্ণৱ কৰিয়ে এৰা নাছিল, আতৈ পাতিছিল। তেনেস্থলত এই কাৰ্য্য কৰিবলৈ হিন্দু মিশ্যনৰ আশ্ৰয় লোৱাৰ সাৰ্থকতা কি? আমাৰ বোধেৰে গোসাঁইদেৱেও সেই হিচাপে ইয়াৰ সাৰ্থকতা দেখা নাছিল। কিন্তু শঙ্কৰ মিশ্যন পাতি-বলৈ সম্বল ক'ত? আমাৰ বিশ্বাস, এই বিষয়ে যি সমস্যা আছে তাৰ মীমাংসাৰ উপায় নেদেখিহে তেখেতে হিন্দু মিশ্যনৰ আশ্ৰয় লৈছিল। এই সুযোগতে তেখেতৰ উদাৰতাৰ সুবিধা লৈ এই নতুনকৈ হিন্দু কৰা মানুহ বিলাকৰ মাজত মিশ্যনৰ বিদেশীসকলে অসমীয়াৰ পৰিবৰ্ত্তে বিদেশী ভাষা-সাহিত্যৰ প্ৰচাৰ চলাইছিল। এই বিষয়ে অসমীয়া জাতিৰ কি কৰ্ত্তব্য সি এটা বেলেগ আলোচনাৰ বিষয়। সি যিকি নহক, গোসাঁইদেৱে আমাক এই বিষয়ে আগ বাঢ়িবলৈ আৰ্হি দেখুৱাই গ'ল। আজি অসমীয়া জাতি পুষ্ট আৰু সবল হৈ উঠিব লাগিলে তেওঁ আৰম্ভ কৰা কাম সম্পূৰ্ণ কৰিবলৈ আগুৱাই যোগ্যতাৰ পৰিচয় দিব লাগিব।

গোসাঁই দেওৰ মনত কেৱল যে ধৰ্ম্মভাবেই প্ৰবল আছিল তেনে নহয়, জাতীয়তাৰ ভাবো জ্বলন্ত আছিল। আৰু এনেকি এই জাতীয়তাৰ ভাবেই তেওঁক এই হিন্দুধৰ্ম্ম প্ৰচাৰৰ কামত নিয়োগ কৰাইছিল। তেওঁ এটা বিৰাট অসমীয়া জাতি গঢ়াৰ সপোন দেখিছিল।

অসমীয়া ভাষালৈও তেওঁৰ অনুৰাগ কম নাছিল। তেওঁৰ মৃত্যুৰ অলপ কেমাহমান আগেয়ে বঙ্গদেশৰ হিন্দুসভা উপলক্ষে তেওঁ কেনিঙত যি অসমীয়া বক্তৃতা দিছিল সিয়ে তাৰ সুস্পষ্ট প্ৰমাণ। আজিকালি অসমীয়া শিক্ষিত কিছুমানে বিদেশীৰ লগত বিশেষকৈ বঙালীসকলৰ লগত অসমৰ ভিতৰতে যি কাৰণে নহক অসমীয়া কোৱা দেখা নাযায়। সি আমাৰ ভাষাৰ প্ৰসাৰৰ বিষয়ত ক্ষতি কৰে। গোসাঁই দেওৰ মাতৃভাষাৰ প্ৰতি কল্যাণ কামনাই তেওঁক বিদেশীৰ মাজত আৰু বিদেশতো অসমীয়া বক্তৃতা দিবলৈ উদগাইছিল। আৰু উৎসাহিত হবৰ আৰু গৌৰব বোধ কৰিবৰ কথা এয়েই যে তাত অসমীয়া বক্তৃতা দি তেওঁ শ্ৰোতৃমণ্ডলীক চমকৃত কৰিছিল।

তেওঁৰ মাতৃভাষাৰ প্ৰতি ইমান অনুৰাগ থকা সত্বেও হিন্দু মিশ্যনৰ ভিতৰেদি যি কাৰণত অসমীয়া ভাষা প্ৰচাৰ কৰিবলৈ তেওঁ সুবিধা পোৱা নাছিল সেই কাৰণৰ নিমিত্তে তেওঁ নিশ্চয় মনে মনে বৰ দুখ পাইছিল। আজি অসমীয়াই তাৰ প্ৰতিকাৰৰ অৰ্থে আগবঢ়া দেখিলে তেওঁৰ স্বৰ্গীয় আত্মাই তৃপ্তি পাব।

আমি তেখেতৰ আত্মাৰ সদ্গতি কামনা কৰিছোঁ আৰু তেখেতৰ শোকসন্তপ্ত পৰিয়াললৈ সহবেদনা জনাইছোঁ।

—•—

পৰলোকত স্যাৰ ডোৰবজী টাটা—

ভাৰতৰ সাউদ স্যাৰ ডোৰবজী টাটা যোৱা ৩ জুন তাৰিখে জাৰ্ম্মানীৰ বাড কিচিংয়েন নামেৰে ঠাইৰ কোনো স্বাস্থ্যনিবাসত প্ৰাণ এৰিছে।

তেওঁ জামছেদপুৰৰ টাটা কোম্পানীৰ প্ৰধান অংশীদাৰ আৰু এই কোম্পানীৰ প্ৰতিষ্ঠাতা জামছেদজী টাটাৰ পুতেক আছিল। স্যাৰ ডোৰবজী টাটাই নানা জনহিতকৰ কাৰ্য্যৰ বাবে তিনি কৌটি টকা দান কৰি গৈছে।

—•—

স্বৰ্গীয় বিপিন চন্দ্ৰ পাল—

বঙ্গদেশৰ বাগ্মী, সংবাদপত্ৰসেৱী, আৰু এসময়ত তাৰ জননেতা বিপিন চন্দ্ৰ পাল পৰলোকপ্ৰাপ্ত হৈছে। বঙ্গদেশ বিভক্ত কৰা উপলক্ষে সেই দেশত যি 'স্বদেশী' আন্দোলন চলিছিল স্বৰ্গীয় পাল তাৰ এগৰাকী প্ৰধান নেতা আছিল।

তেওঁৰ পিছ ডোখৰ জীৱনত তেওঁৰ ৰাজনৈতিক আদৰ্শ দেশৰ আদৰ্শৰ লগত নিমিলাত তেওঁ দেশৰ ৰাজনীতিৰ পৰা আঁতৰি থাকিব লগা হলেও তেওঁৰ প্ৰথম ছোৱা জীৱনত বঙ্গদেশৰ হকে তেওঁ বহুত কৰিছিল।

—•—

হাইকোৰ্টৰ বিচাৰত 'জনশক্তি' নামে বাতৰি কাকতৰ জামিনৰ টকা ৰেহাই—

শ্ৰীহট্টৰ জনশক্তি নামে বাতৰি কাকতখনে স্থানীয় তিনিজন দাৰোগা আৰু ছজন কনিষ্টবলৰ দুৰ্ব্যৱহাৰৰ কথা প্ৰকাশ কৰিছিল। সেইবাবে অসম গভৰ্ণমেণ্টে প্ৰেছ আইন অনুসাৰে এই কাকতৰ পৰা এহেজাৰ জামিন বিচাৰিছিল। এই আদেশৰ বিৰুদ্ধে জনশক্তিয়ে হাইকোৰ্টত আপিল কৰিছিল। হাইকোৰ্টৰ বিচাৰমতে এই বুলি আদেশ নাকচ হয় যে কেজনমান পুলিচ কৰ্ম্মচাৰীৰ ব্যৱহাৰ সমালোচনা কৰাতে গভৰ্ণমেণ্টক আক্ৰমণ কৰা হোৱা নাই। প্ৰেছ অৰ্ডিনেন্সৰপৰা এনেদৰে সাৰিব পৰা দেখি ভাল লাগে সন্দেহ নাই; কিন্তু যেতিয়া আকৌ হাইকোৰ্টৰ এই বিচাৰ উপলক্ষে বিচাৰপতিসকলে কোৱা আন কথাৰ ফালে মন কৰা যায় তেতিয়াই বাতৰি কাকতৰ অনিশ্চিত ভাগ্যক অৰ্ডিনেন্সেৰে অতি অনিশ্চিত আৰু তেনেই নিৰাশজনক কৰি তোলা হৈছে, তাকেহে মাথোন দেখা যায়। সমালোচনা গভৰ্ণনেণ্টৰ ওপৰত আক্ৰমণ নহয় বুলিলেও আন অৱস্থাতো যে পুলিছৰ কাজৰ বিৰুদ্ধে মন্তব্য কৰিলে তাকো গভৰ্ণমেণ্টৰ ওপৰত আক্ৰমণ বুলি কোৱা নহব, তেনে কথা কোৱা নাই। অৰ্ডিনেন্সৰ ভেদ কৰিব নোৱাৰা ৰহস্যৰ ভিতৰত এই ৰহস্য অতি দুৰ্ভেদ্য। কাজেই জনশক্তিৰ সৌভাগ্য চাই আন কোনো ঘটনাৰ বিষয়ে আশা কৰিবৰ একো নাই।

ধনকুবেৰ ৰকফেলাৰৰ ভাৰতলৈ দান—

পৃথিবীৰ প্ৰসিদ্ধ ধনী ৰকফেলাৰে ভাৰতত স্বাস্থ্যতত্ত্ব শিক্ষা দিবলৈ আৰু স্বাস্থ্যৰ উন্নতি সাধিবলৈ ১৭ লাখ টকা দান কৰিছে। ইয়াৰ বাবে কলিকতাৰ কলুটোলা ষ্ট্ৰীটত 'অল ইণ্ডিয়া ইন্‌ষ্টিটিউট অব হাইজিন এণ্ড পাব্লিক হেল্‌থ'ৰ দালান সজা হৈছে। এই টকাৰ পৰা তিনি লাখ যন্ত্ৰপাতি কিনোতে খৰচ কৰিব লাগিব। ধনী সকলৰ এনে বিলাক দানতে তেওঁলোকৰ টকাৰ সাৰ্থকতা।

আন এটা দান—

হাইদ্ৰাবাদৰ নিজাম বাহাদুৰে লক্ষ্ণৌলৈ যাওঁতে তাৰ জনহিতকৰ অনুষ্ঠানবিলাকৰ সাহায্যৰ বাবে ২৫,০০০৲ টকা দান কৰি আহিছে।

অসমত দানৰ আৱশ্যকতা—

অসম ভাৰতৰ এচুকে থকা প্ৰদেশ। ইয়ালৈ পৃথিবীৰ ডাঙৰ আৰু ধনী মানুহৰ চকু সহজে পৰা টান; এনেকি ভাৰতৰ আন আন প্ৰদেশৰ মানুহৰ দৃষ্টিও ইয়ালৈ আকৃষ্ট হৈছে বুলি গম পোৱা নাযায়। ভাৰতৰ আন আন প্ৰদেশত দেখা যায় সেই সেই প্ৰদেশৰ বাহিৰৰ পৰাই জনহিতকৰ নানা কাৰ্য্যৰ বাবে ডাঙৰ ডাঙৰ দান পোৱা যায়—নিজ প্ৰদেশৰ মানুহৰ দানৰ তো কথাই নাই। যিকি নহক অসমৰ বাহিৰৰ মানুহৰ পৰা তেনে কোনো সাহায্য নাহিলেও, বাহিৰৰ মানুহে আমাৰ দেশমাতৃকা মৰমৰ অসমৰ অভাৱলৈ কাণ নিদিলেও অসম আইৰ এনে সুযোগ্য সন্তান নোহোৱা হোৱা নাই যোনে দেশৰ নানা হিতকৰ অনুষ্ঠানৰ অৰ্থে উপযুক্ত অৰ্থ দান কৰিব নোৱাৰে। ইমান দিন দেশত বিশ্বাসযোগ্য জনহিতকৰ অনুষ্ঠান বৰ বেছি নাছিল। দেশজননীৰ আশীৰ্ব্বাদত আৰু দেশবাসীৰ কৃতিত্বত এতিয়া আমাৰ দেশত নতুন বতাহ বলিছে। দেশত বিশ্বাসযোগ্য স্থায়ী আৰু জনহিতকৰ বহুত অনুষ্ঠান গঢ়ি উঠিছে। লাগে এতিয়া সেইবিলাকৰ পৰা আশানুযায়ীৰূপে আৰু দেশৰ আৱশ্যক অনুসাৰে কাম পাবলৈ সেইবিলাকলৈ অৰ্থসাহায্য—যাতে টকাৰ অভাৱত সেইবিলাক অনুষ্ঠান পঙ্গু হৈ থাকিব নালাগে। এই সুযোগতে আমি আমাৰ অসম-আইৰ ধনী পুত্ৰ সকলৰ সহানুভূতি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ডাঙৰীয়াই এই সংখ্যা আৱাহনতে লিখা "বহল অসম" প্ৰবন্ধৰ ভিতৰত যি আবেদন জনাইছে তালৈ আহ্বান কৰিলোঁ। লগে লগে আশা কৰিলোঁ আমাৰ দেশৰ

সমস্যাবিলাক দূৰ কৰিবলৈ আৰু সদনুষ্ঠানবোৰ পুষ্ট কৰি তুলিবলৈ তেওঁলোকৰ কৃপাদৃষ্টি এৰা নপৰিব।

ভোটাধিকাৰ কমিটিৰ ৰিপোৰ্ট—

ভাৰতত যি নতুন শাসন প্ৰৱৰ্ত্তিত হবৰ কথা চলিছে সি কেনে হব আৰু কেতিয়াৰ পৰা আৰম্ভ হব তাক কোৱা নাযায়। এতিয়াও কোনো খবৰ ওলোৱা নাই। আন ফালে কিন্তু সেই প্ৰস্তাৱিত শাসন ব্যৱস্থাৰ ভোটাধিকাৰ কমিটি বহি তাৰ কাম শেষ কৰি ৰিপোৰ্টো প্ৰকাশ কৰিলে। কমিটিয়ে যি সময়ত ভোটতত্ত্ব সংগ্ৰহ কৰি ফুৰিছিল সেই সময়ত কংগ্ৰেচৰ ওপৰত অৰ্ডিনেন্সৰ প্ৰকোপ চলিছিল। কংগ্ৰেচ আজিকালি ভাৰতৰ সৰ্ব্বপ্ৰধান আৰু সকলোতকৈ ডাঙৰ দল বুলি স্বীকৃত। কমিটিয়ে এই দলৰ সহায় নোপোৱাত ভোটাধিকাৰৰ তত্ত্ব সংগ্ৰহত কিছু ব্যাঘাত পোৱাই সম্ভৱ। ইফালে কংগ্ৰেচৰ বাহিৰৰো বহুতে কমিটিৰ ৰিপোৰ্টত সন্তুষ্ট হব পৰা নাই বুলি জনা গৈছে—যদিও কমিটিয়ে কংগ্ৰেচৰ বাহিৰে আন সকলো দলৰে সমৰ্থন পোৱা বুলি গৌৰৱ প্ৰকাশ কৰিছিল। ভাৰতৰ জনমত পূৰ্ণবয়স্কৰ ভোটৰ অধিকাৰৰ সপক্ষে। কিন্তু কমিটিয়ে বৰ্ত্তমান অৱস্থাত সি ভাৰতৰ পক্ষে উপযুক্ত নহব বুলি সিদ্ধান্ত কৰিলে। কিন্তু এই সিদ্ধান্তত দেখুৱা যুক্তি ন্যায়সঙ্গত হৈছে বুলি আনে কোৱা নাই। অৱশ্যে কমিটিৰ ৰিপোৰ্টত নিৰ্ব্বাচক মণ্ডলীৰ সংখ্যা ৭০ লাখৰ পৰা ৩৬০ লাখলৈ বঢ়াবৰ প্ৰস্তাৱ কৰা হৈছে। আকৌ কমিটিয়ে তিৰোতাৰ ভোটৰ বিষয়েও অলপ বিবেচনা কৰা দেখা গৈছে। আমাৰ অসমৰ তিৰুতা নিৰ্ব্বাচকৰ সংখ্যা পুৰুষৰ প্ৰতি ১৪৪ জনৰ ভিতৰত এজন কৰা হৈছে, ই আমাৰ তিৰুতা সমাজলৈ বৰ আশ্বাসৰ কথা হোৱা নাই। মুঠ কথা ৰিপোৰ্টত জাতীয়তাবাদীসকলৰ লগতে আন আন বহুতৰো ওজৰ ৰৈ গৈছে। অৱশ্যে যেতিয়া শাসন ব্যৱস্থাৰ স্বৰূপকে একো দেখা পাবলৈ হোৱা নাই তেনেস্থলত তাৰ পিছত হব লগা এই ভোটাধিকাৰৰ বিষয় লৈ আলোচনা সমালোচনা কৰা কিমানখিনি যুক্তিসঙ্গত সেইটোৱে ভাবি চাব লগীয়া কথা।

উৰিষ্যাৰ নতুন সীমা—

উৰিষ্যাৰ সীমা অদল বদলৰ বাবে বিবেচনা কৰিবলৈ যি কমিটি বহিছিল তাৰ ৰিপোৰ্ট প্ৰকাশ হৈছে। এই ৰিপোৰ্টৰ মতে উৰিষ্যা বিভাগৰ আঙ্গুল, ৰায়পুৰ জিলাৰ খায়িয়াৰ জমিদাৰি, গঞ্জাম জিলাৰ বেছিৰ ভাগ ঠাই আৰু ভিজিগা পট্টনম এজেন্সি ইত্যাদি প্ৰায় ৩৩ হাজাৰ বৰ্গমাইল ঠাই লৈ প্ৰস্তাৱিত উৰিষ্যা প্ৰদেশ গঠিত হব পাৰে। তেতিয়া সেই প্ৰদেশৰ লোকসংখ্যা ৮২ লাখ ৭৭ হাজাৰ হব।

সীমা অনুসন্ধানৰ সময়ত কমিটিয়ে ভাষা, জাতি, জনসাধাৰণৰ মনোভাব, ভৌগোলিক আৰু নৈতিক অৱস্থা, শাসন ব্যৱস্থা আদি বিষয়ে বিবেচনা কৰিছিল।

এই বিলাক বিষয় লৈ অসমতো জোৰে আন্দোলন চলালে অসমৰ সীমাৰো কিবা সাল সলনি হব পাৰে।

শ্ৰীযুত বিঠল ভাই পেটেলৰ পৃথিবী ভ্ৰমণৰ সঙ্কল্প—

ভাৰতীয় ব্যৱস্থা পৰিষদৰ ভূতপূৰ্ব্ব সভাপতি শ্ৰীযুত বিঠলভাই পেটেলৰ স্বাস্থ্য আগতকৈ এতিয়া বহুতখিনি ভালৰ ফালে আহিছে। তেখেতে ইয়াৰ ভিতৰতে য়ৰোপৰ কেথনমান দেশত ফুৰিলে। কেদিনমান আগেয়ে তেওঁ পেৰিচলৈ গৈ তাৰ বাতৰি কাকতৰ প্ৰতিনিধিসকলৰ আগত কৈছে যে তেওঁ গোটেই পৃথিবী ঘূৰি ভাৰতৰ প্ৰকৃত অৱস্থাৰ বিষয় জগতবাসীক জনাই ফুৰিব। তেখেতে আকৌ কৈছে যে ভাৰতে বৃটিছক এৰিহে প্ৰকৃত যুক্তৰাষ্ট্ৰীয় শাসন বিচাৰে। ভাৰতবাসীয়ে অটোৱা সন্মিলনত যোগ দিয়াৰ সাৰ্থকতা নথকাৰ কথাও তেখেতে কৈছে। আমি যোৱা সংখ্যা আৱাহনত এই বিষয়ে বহুল আলোচনা কৰিছোঁ।

চিলি ৰাজ্যৰ স্বাধীনতা আন্দোলন—

দক্ষিণ আমেৰিকাৰ প্ৰশান্ত মহাসাগৰৰ পাৰৰ চিলি নামৰ ৰাজ্যত বিদ্ৰোহে দেখা দিছে। তিনজন বিদ্ৰোহী নেতাই লগ লাগি এটা 'সমৰ পৰিষদ' গঠন কৰিছে আৰু তেওঁলোকে তেজৰ নদী নোবোৱাকৈ সেই ৰাজ্যৰ শাসন

যন্ত্ৰ দখল কৰিবলৈ সমৰ্থ হৈছে। এই বিদ্ৰোহী নেতা সকলৰ উদ্দেশ্য—সেই দেশত সমাজতন্ত্ৰবাদী প্ৰজাতন্ত্ৰ শাসন প্ৰতিষ্ঠা কৰা আৰু বৈদেশিক বাণিজ্যৰ প্ৰতিপত্তি নাশ কৰা। এই নেতাসকলে অভয় দিছে যে তেওঁলোকে সাম্ৰাজ্যবাদ নাইবা বলশ্যেভিকবাদ নিবিচাৰে। তেওঁলোকে কেৱল বাণিজ্য বিষয়ৰ সংস্কাৰ সাধন কৰিবলৈ খোজে, বিশেষকৈ বিদেশৰ পৰা অহা বিলাসৰ বস্তু বিলাকৰ আমদানি বন্ধ কৰিবলৈ চায়। স্বাধীনতাকামী ভাৰতৰ পক্ষে এনেবিলাক দেশৰ কাৰ্য্যকলাপ বৰ আগ্ৰহৰ বিষয়।

কংগ্ৰেচৰ স্বেচ্ছাসেৱকসকলক বেত মৰা—

'কংগ্ৰেচ দিন' পালন অনুষ্ঠান উপলক্ষে গুৱাহাটী কংগ্ৰেচৰ স্বেচ্ছাসেৱকসকলক বেতেৰে মৰিৱা হৈছে বুলি বাতৰি ওলাইছে। কিছুমানৰ হাতত কিছুমানৰ তপিনাত বেত মৰা হৈছে। এনেকৈ আইন অমান্য আন্দোলনৰ আৰম্ভণিৰ পৰা এতিয়ালৈকে ২৪ জনৰ ওপৰত এনে ধৰণৰ শাস্তি বিধান কৰা হৈছে বুলি শুনা গৈছে।

কিন্তু আজিকালিৰ সভ্যজগতৰ নিয়ম অনুসাৰে এনে বিধৰ শাস্তিৰ দিন উকলিছে। আজিকালি বেত মৰা অসভ্য বৰ্ব্বৰ যুগৰ প্ৰথাৰ দৰে ভৰা হয়। ইংৰাজ ৰাজত্বৰ ভিতৰত ই এটা ডাঙৰ কলঙ্ক। এনে কলঙ্কৰ কথা গোটেই সভ্য জগতত প্ৰচাৰ হলে নিশ্চয় আত্মাভিমানী বৃটিছৰ পক্ষে সি বৰ গৌৰৱৰ নহব। আজি কালি গোটেই জগতত ভাৰতৰ বিষয় জানিবলৈ আগ্ৰহৰ ভাব এটা দেখা গৈছে। ভাৰতৰ এনেবিলাক সৰু সৰু কথাও আজিকালি সহজে ভাৰতৰ বাহিৰৰ মানুহৰ কাণত পৰিবৰ সুযোগ বাঢ়িছে।

আমি এনে বিধৰ শাস্তিৰ ইমানতে অন্ত পৰিব বুলি আশা কৰিলোঁ। এনে শাস্তিৰে দেশত অশান্তিৰ মাত্ৰা বঢ়াই তোলা হয় মাথোন। এনে দিনত দেশৰ চঞ্চলতাৰ মাত্ৰা বঢ়োৱা গভৰ্ণমেণ্টৰ পক্ষে কিমানখিনি সঙ্গত হৈছে সি আমাৰ ধাৰণাৰ অতীত।

সমালোচনা

অকণৰ সাধুকথা—লেখক শ্ৰীযুত যামিনীকান্ত দাস ৫২ পৃষ্ঠা—বেচ ছয় অনা।

সৰু ল'ৰা-ছোৱালীৰ কিতাপ। দহোটা সৰু সৰু সাধুকথা আছে। "পিঠা খোৱা বুঢ়া বুঢ়ী "কুঁহিয়াৰ খেতি কৰা বুঢ়া" আদি পৰিচিত সাধুকে লেখকে ভালকৈ গঢ় লগাই লেখিছে। প্ৰকাশৰ ভাষা ভাল। কিন্তু নামনি অসমৰ লৰা-ছোৱালীৰ পক্ষে অসঙ্গত আৰু অবুজ শব্দ ভালে কেইটা চকুত পৰে। বোধ হয় লেখক যোৰহাটত থকা আৰু তাৰ ল'ৰা-ছোৱালীৰ লগত সদায় দেখা শুনা হৈ থকাই তাৰ প্ৰধান কাৰণ। ১১ পৃষ্ঠাৰ একেটা শব্দ মুঠে আমি দেখুৱাওঁ—"বুইছা ?" এই শব্দটোৰ অৰ্থ নামনি অসমত "কাপোৰ বোৱা" বুজাব, কিন্তু "বুজিছা" বুলিলে হলে সকলোৱে বুজে। অসমীয়া Standard workঅত যিবোৰ শব্দই ঠাই নাপায় কিতাপ সাৰ্ব্বজনীন কৰিব খুজিলে লৰা-ছোৱালীৰ কিতাপতো সেইবোৰ শব্দ নিদিয়া ভাল। সাধাৰণ কথাত চলিত বা colloqual ভাষাত বাহিৰে দুই চাৰিটা ভুলো আছো। আশা কৰোঁ লেখকে দ্বিতীয় চেষ্টাত সেইবোৰ শুধৰাই লব। এনেই হলে কিতাপখন ভাল হৈছে, লৰা-ছোৱালীয়ে পঢ়ি ৰং পাব। দামো অলপ কমালে বেয়া নহয়। কিতাপখনত কেবা খনো ছবি দিয়াত ভাল হৈছে, কিন্তু ছবি কেইটা সুবিধা হোৱা নাই।

সতীৰ তেজ—ৰচোঁতা শ্ৰীদণ্ডিনাথ কলিতা, তেজপুৰ পাঁচঅঙ্কীয়া, ৮৮ পিঠীয়া নাট। বেচ তিনি সিকি।

শ্ৰীযুত কলিতা ডাঙ্গৰীয়াৰ কিতাপৰ গুণাগুণ বিচাৰ কৰাৰ আগতে "বাণ-ৰঙ্গমঞ্চৰ" কৰ্ত্তৃপক্ষ আৰু উদ্যোগী কৰ্ম্মী

সকলক আমাৰ শলাগ জনাইছো। যিসকলে সৌভাগ্য বা দুৰ্ভাগ্যক্ৰমে আমাৰ 'নিকট বন্ধু' বঙ্গালীসকলৰ লগত কথাবতৰা হবলৈ সুযোগ পায় তেওঁলোকে প্ৰায় এটা প্ৰশ্নৰ সমিধান দিব লগীয়া হয় যে আমাৰ বিশেষত্ব কিহত। ভাৰতীয় হিচাপে যদিও কোনোৱে সুকীয়া জাতীয়ত্বৰ দাবি নকৰে, প্ৰাদেশিতকাৰ ভিতৰলৈ আহিলেই নিজৰ প্ৰাদেশিক বিশেষত্ব দেখুৱাবৰ একান্ত আগ্ৰহ জন্মে আৰু যেতিয়া প্ৰশ্নকৰ্ত্তাৰ মনত প্ৰাদেশিক আভিজাত্যৰ গন্ধ পোৱা যায় তেতিয়া যুক্তিৰে নোৱাৰিলে চিঞৰিও কবৰ মন যায়—আমি তোমালোকৰ নিচিনা নহওঁ। কিন্তু প্ৰশ্নকৰ্ত্তা যেতিয়া সাধু আৰু জিজ্ঞাসু হয় তেতিয়া সাধনা বা সাহিত্য আদিৰ নিদৰ্শনেৰে অসমৰ ৰীতিনীতিৰ ব্যৱধান বুজাই নিদিলে মান ৰক্ষা নপৰে। অসমীয়া বৈষ্ণৱ সাহিত্য অসমৰ গৌৰৱ হিচাপে বহুদিনৰ পৰা আছে আৰু থাকিব; কিন্তু তাৰ মাজেদি জীৱনৰ সকলো কামনা বাসনাই চিৰদিন প্ৰকাশৰ বাট পাই নাথাকে। বৰ্ত্তমান সাহিত্যৰ ওপৰত সেই ভাৰ ন্যস্ত, আৰু যিজন লেখকে যি অনুপাতে এই বিষয়ত কৃতকাৰ্য্য হব পাৰিছে তেওঁলোক তিমানে আমাৰ ধন্যবাদৰ পাত্ৰ। "শোণিত-কুৱঁৰী"ৰ যশশ্ৰীমণ্ডিত মঞ্চৰ পৰা বিকাশ পোৱা "সতীৰ তেজকো" আমি সাদৰে বৰণ কৰিছো। কাৰণ ইয়াত আমাৰ নিজৰ বুলিবৰ বহুত আছে আৰু এনে ধৰণৰ গ্ৰন্থই আমাক আত্ম-পৰিচয় দিয়াত সহায় কৰিব।

"সতীৰ তেজ"—সতী জয়মতীৰ কাহিনী অৱলম্বন কৰি লেখা নাট। কিতাপখন পাচোঁটা অঙ্কত বিভক্ত হলেও বৰ ডাঙৰ নহয়, বেছ handy। গীতে-কথাই সুন্দৰ। ভাৱৰীয়াসকলৰ সংখ্যাও বৰ বেছি নহয়। সাজ সৰঞ্জামৰ বেছি আয়োজনৰ আৱশ্যক নহয়, প্ৰায়খিনিয়ে ঘৰতে পোৱা সাজ-পাৰ, নহলেও অলপ আয়াসত কৰি লব পাৰি। এইখিনি মতামত নিভাজ সাহিত্যৰ ফালৰ পৰা দিয়া নাই, আৱশ্যকবাদৰ ফালৰ পৰা হে দিছোঁ, কাৰণ অসমত ব্যৱসায়ী থিয়েটাৰ দল নাই, আটাইবোৰেই amateur আৰু সাজপাৰ আদিৰ সুবিধা অসুবিধাৰ কাৰণেই কাকতে পত্ৰে গালি খোৱা নানাখন বিজাতীয় নাটক লৈ অভিনয়-বেমেজালিৰ সূত্ৰপাত কৰে। প্ৰবেশিকা পৰীক্ষা দিয়া, ছুটীয়ে সবাহে নাট্য-শিল্পৰ (Namatic art) আশ্ৰৰ লব খোজা নানা ছাত্ৰ সম্প্ৰদায়ৰ মনতো নাটক বাছনিত এইবোৰেই ঘাই সমস্যা। Stagic grandeurৰ বাবে যেয়ে যিমান কৰিব পাৰে আপত্তি নাই, এই নাটকৰ প্ৰথম অভিনয়ত বাণ-ষ্টেজে বোধ হয় এটা লোভনীয় ৰজনীৰ সৃষ্টি কৰিছিল (লেখকৰ বিনয়ী ভাষাৰ পৰাও যিমানখিনি বুজা যায়)—কিন্তু তাৰ অভাৱতো ইয়াৰ অভিনয় তেনেই উকা দেখা নাযাব

সতীৰ-তেজ নাটকৰ গ্ৰন্থকাৰ শ্ৰীযুত কলিতা ডাঙ্গৰীয়া এজন ৰস-শিল্পী বুলি অসমত বহুত দিনৰ পৰা নাম আছে আৰু তেখেত "ৰহঘৰা" "ৰগৰৰ" হাস্যৰসৰ স্ৰজোঁতা হৈও নানা গল্প উপন্যাসৰ মাজেদি সমাজৰ দুৰ্ব্বলতাত তীক্ষ্ণ ভ্ৰূকুটি হানিও আহোমৰ অতীত বুৰঞ্জীৰ জীৱন্ত চিত্ৰ এটা অসমীয়া সমাজক উপহাৰ দিয়াত আমি তেখেতৰ চেষ্টাৰ সাধুবাদ কৰিছো। বুৰঞ্জীমূলক ঘটনা সত্য হলেও বহুত সময়তে মানুহৰ মনত নিৰ্জীৱ যেন লাগে, ইজিপ্তৰ মনুষ্য-কঙ্কাল সজীৱ কৰিবলৈ অতি উগ্ৰ সাধনাৰ আৱশ্যক হয়,—এইবোৰ অনুমান কৰিয়ে বোধ হয় কলিতা ডাঙ্গৰীয়াই সেই ঘাটৰ পানী নোতোলোঁ বুলিছিল কিন্তু তেখেতৰ বন্ধুৰ উদগণিতে হওক বা জাতীয়তাৰ অনুৰোধতে হওক, এই চেষ্টা কৰি তাৰ বাবে তেখেতে অনুশোচনা কৰিব নালাগিব। জয়মতীৰ কাহিনী লৈ অৱশ্যে এইখনেই অসমীয়াত প্ৰথম নাট নহয় যদিও, গ্ৰন্থকাৰৰ ইয়াত দক্ষতা আৰু মৌলিকতা দেখা যায়। সৌভাগ্যৰ বিষয় আজি বহু শতাব্দীৰ পাছত জয়সাগৰে আত্মপৰিচয় দিছে, অসমীয়াই জয়দ'লৰ গৌৰৱৰ কলচী লৈ অতি পৰিচিত-ভাৱে সন্মানৰ শৰাই যাচিবলৈ সুযোগ পাইছে। সতী জয়মতীৰ কাহিনী সতীৰ তেজেৰে লেখা, বৰষুণে তাক ধুই নিব নোৱাৰে, ৰঘুমলাই ছাটি পেলাব নোৱাৰে, মানুহৰ অন্তৰত ভক্তিৰ নদ, প্ৰীতিৰ সুঁতি যেতিয়ালৈকে নুশুকায় তেতিয়ালৈকে আহোম গাভৰুৰ স্বাৰ্থত্যাগৰ এই জলন্ত কাহিনী মানবৰ স্মৃতিপটৰ পৰা অন্তৰ্হিত নহয়; "সতীৰ-তেজ" উপযুক্ত নাম।

কিতাপখন আদিৰ পৰা গুৰিলৈকে অতি জাতীয় ভাবাপন্ন, বিজাতীয় চিত্ৰ বা ভাবৰ গন্ধ নাই। আজি কালিৰ এনে নাচনী-সমাকীৰ্ণ অভিনয়ৰ ৰাজ্যত থাকিও যে কলিতা ডাঙ্গৰীয়া অবিচলিত আছে, আমি শলাগিছো। "পিউ, পিউ, অমিয়া..." বা যৌৱন বসন্তৰ বলিয়া ৰাগীৰ সুৰ তেখেতৰ কিতাপত নাই, ৰজাই জনান্তিকত বহি নাচনী বা লিগিৰীৰ গালৰ ৰঙচুৱা আভা চাবলৈ সময় নাই, লিগিৰীয়ে ৰজাক টোপনি নিয়াবলৈ নিভাজ অসমীয়া গীত গাইছে—

"সোণালী পালেঙত অ' মন তৰা,
ৰূপালী তলিচা অ' মন তৰা,
কমোৱা তুলাৰে তুলী মন তৰা,
আহাঁ নিদ্ৰাৱলী স্বৰ্গৰ পৰা।
চোৱঁৰে সিঁচিছে অ' মন তৰা,
সুগন্ধি মলয়া অ' মন তৰা" ইত্যাদি।

ৰজাৰ চকুত টোপনি নাই,—দেখে 'সপোনত ষড়যন্ত্ৰ, দিঠকত অৰাজকতা'।

৫২৫৬/আ:

ভাৱৰীয়া সকলৰ চৰিত্ৰ আটাইবোৰেই সুন্দৰ হৈছে। **লাই লেচাই** সেই সময়ত কিমান সৰু আছিল নাজানো, কিন্তু নাটকত বিশেষ চকুত পৰা হোৱা নাই, অন্ততঃ মাকৰ লগত প্ৰত্যক্ষ সম্বন্ধ নথকাত অলপ অঙ্গ ঘাটি যেন লাগে। বেণু চৰিত্ৰ পৰিকল্পনাত সুন্দৰ, কিন্তু তেওঁ যথেষ্ট আদৰ পোৱা নাই। শ্ৰীযুত গোঁহাই-বৰুৱাৰ "লাই, লেচাই" আৰু বেজবৰুৱাৰ "ডালিমী"লৈ মনত পৰে। **জয়মতী** সুন্দৰ অসমীয়া বৈণী, তেখেতৰ সতী সাধ্বী-বীৰ চৰিত্ৰৰ গৌৰৱ অটুট আছে। **কেতেকী, বাউলী** অতি স্বাভাৱিক চিত্ৰ। চুলিকফাৰ মহিষীৰ চৰিত্ৰ মুগ্ধকৰ। তেওঁৰ মহীয়ানতাই পৰম শত্ৰুৰ বুকুতো দয়াৰ উদ্ৰেক কৰি স্বামীৰ প্ৰাণ অকথ্য যন্ত্ৰণাযুক্ত মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰিলে। এইখিনি বুৰঞ্জীমূলক সত্য নহব পাৰে, কিন্তু ইয়াৰ দ্বাৰা নাটকৰ গৌৰৱ বাঢ়িছেহে। পুৰুষ চৰিত্ৰ আটাইবোৰে সুন্দৰ হৈছে, **লৰাৰজাৰ** চৰিত্ৰ বুৰঞ্জীতকৈ উজ্জ্বল আৰু জীৱন্ত হৈছে। তেওঁক নিশকতীয়া অকৰ্ম্মণ্য ল'ৰাৰজা যেন নালাগে;—চেষ্টা কৰিছিল, অকৃতকাৰ্য্য হৈছে, ইমানেই। 'সতীৰ' প্ৰতি তেওঁৰ অনাস্থা আন কোনো কাৰণত হোৱা নাছিল, তেওঁ লোভ আৰু ভয়ত অন্ধ হৈ ন্যায় অন্যায় বিবেচনা ৰহিত হৈছিল। তেওঁৰ নিষ্ঠুৰতাৰ মূলত কোনো অভিপ্ৰায় নাই। যিফাকি বচন কৈ তেওঁ শেষ বাৰলৈ দৰ্শকসকলৰ দৃষ্টিৰ অন্তৰাল হ'ল সেয়ে তেওঁৰ চৰিত্ৰৰ প্ৰতি সম্মান আনে, তেওঁৰ শেষ কথাষাৰিয়ে মৃত্যুশয্যাত ৰাৱণৰ উপদেশ বাণীলৈ মনত পেলায়,—গদাপাণিক মিত্ৰভাৱে বিষয়াসকলৰ বিষয়ে ইঙ্গিততে কৈ যায়—"যদি সিংহাসন ৰাখিব খুজিছা, খুটা কেইটা সলাই ল'বা"। প্ৰকাশৰ প্ৰণালীয়ে লেখকৰ নিপুণতা দেখুৱায়।

সমশেষত এবাৰ বেণুলৈ মনত পৰে। বেণু নাম নাগিনীৰ থাকে নে নাথাকে নাজানো, যদি থাকে ভাল, নাথাকিলে নগা সমাজত চলিত নাম এটা ৰখা ভাল। চৰিত্ৰটো আদৰ কৰোঁ দেখিহে নামটোলৈ চকু দিছো। বেণু নগা-গাভৰু, গদাপাণি তেওঁলোকৰ ঘৰতে আশ্ৰয় লৈছিল, বেণুৱে কোৱঁৰক এৰি ভাত গৰাহ খাবলৈকো টান পাইছিল, কোৱঁৰলৈ তেওঁৰ বৰ আকৰ্ষণ, গদাপাণিৰ মঙ্গলৰ বাবে তেওঁৰ একান্ত আগ্ৰহ, তেওঁৰ জীৱনৰ অভিনয় চুটি হলেও মৰ্ম্মবেদনাভৰা। যেতিয়া ভৈয়ামৰ শত্ৰুৱে গদাপাণিক অনুসৰণ কৰা বাতৰি অতি আতুৰভাৱে বেণুৱে কোৱঁৰৰ ডিঙ্গিত ধৰি জনায়,—শত্ৰুৰ নিৰ্দ্দয় শৰে গাভৰুৰ কোমল কাষত প্ৰবেশ কৰি নিষ্ঠুৰভাৱে প্ৰাণ কাঢ়ি লয়, কোৱঁৰ ৰক্ষা পায়। বাল্মিকীৰ ক্ৰৌঞ্চীৰ দৰে গাভৰুৰ আলিঙ্গনশ্লিষ্ট হাত কোৱঁৰৰ কান্ধৰ পৰা সুলকি পৰে। এই দৃশ্যই দৰ্শকৰ হিয়া উথলাই আনে। গদাপাণিয়ে এই দৃশ্য লক্ষ্য কৰি অনুশোচনাৰ সুৰত কয়—

"ক্ৰূৰ সৰ্পগত প্ৰাণ।
কিন্তু তাৰ আশীবিষে হৰিলে জেউতি
প্ৰকৃতি বুকৰ এটি ফুল্ল কুসুমৰ।"

আমি ইয়াতকৈ অলপ বেছি আশা কৰিছিলো,—এটুপি চকুৰ লো, **এটি মৰ্ম্মন্তুদ আৰ্ত্তনাদ।**

শ্ৰীহলীৰাম ডেকা

১৩নং বৃন্দাবন মল্লিক লেন কামৰূপ প্ৰেছত শ্ৰীঅপূৰ্ব্ব কুমাৰ ভূঞা দ্বাৰা মুদ্ৰিত, ডাঃ দীননাথ শৰ্ম্মা দ্বাৰা প্ৰকাশিত।

৫২৫৭/আ:
১০/৬/৯৯



গাৱঁলীয়া জীৱন

শিল্পী—শ্ৰীঅন্নদা প্ৰসাদ চক্ৰৱৰ্ত্তী

আৱাহন

৫২৫৭/অ:



৩য় বছৰ
৯ম সংখ্যা

আৱাহন

আহাৰ
১৮৫৪ শক

কামৰূপৰ প্ৰাচীন শাসনাৱলী

—শ্ৰীযুত সোণাৰাম চৌধুৰী

আমাৰ দেশৰ প্ৰাচীন বুৰঞ্জীৰ প্ৰধান সম্বল পূৰ্ব্বৰ ৰজাসকলৰ শাসনপত্ৰ বা তাম্ৰ ফলি আৰু পৰ্ব্বত-পাষাণে লিখা শিলালিপি। আজি প্ৰায় এক শতাব্দি কাল ভুবি, জেনেৰেল জেন্‌কিন্স চাহাবৰ দিনৰে পৰা অনুসন্ধানৰ ফলত, অনেক ফলি পোহৰলৈ ওলাইছে আৰু সকলোবোৰে অল্প-বিস্তৰ সমালোচনা ইংৰাজী, বঙ্গলা, অসমীয়া কাকতে-পত্ৰে প্ৰকাশিত হৈছে। কিন্তু সেইলিক একেলগে একে ঠাইতে কোনোজনে বিচাৰিলে পাবলৈ বহুত অসুবিধা আছিল। এই অসুবিধা বা অভাব কথঞ্চিৎ পৰিমাণে ওচৰৰ অভিপ্ৰায়ে, আমাৰ দেশৰ প্ৰধান প্ৰত্নতত্ত্বজ্ঞ, সুযোগ্য পণ্ডিত, কটন কলেজৰ ভূতপূৰ্ব্ব সংস্কৃত অধ্যাপক পূজনীয় শ্ৰীল শ্ৰীযুত পদ্মনাথ ভট্টাচাৰ্য্য মহাশয়ে প্ৰায় ১৮ বছৰ অনুসন্ধান আৰু পৰিশ্ৰমৰ ফলস্বৰূপ ১০খন ফলিৰ পাঠ সংগ্ৰহ কৰি, সম্প্ৰতি 'কামৰূপ শাসনাবলী' নাম দি, তেখেতৰ বহল গবেষণাপূৰ্ণ ভূমিকাৰে এখন বৰ মূল্যবান পুথি, উত্তৰবঙ্গ-সাহিত্য পৰিষদৰ সহায়ত কাশীধামৰ পৰা প্ৰকাশ কৰিছে। পুথিত ছখন শিলালিপিয়েও স্থান পাইছে। মুঠতে ১৬ খন চিত্ৰ দি পুথিখন চিত্ৰ-সম্পদেৰে গহীন কৰিছে। এই চিত্ৰবোৰৰ পৰা আমাৰ দেশৰ প্ৰাচীন অক্ষৰবিলাকৰ ক্ৰমবিকাশ সুন্দৰৰূপে লক্ষ্য কৰি অক্ষৰ-

বুৰঞ্জী লিখিবৰ বহুত সুবিধা হৈছে। পুথিখনত ফলি-বিলাকৰ মূলভাগ দেৱনাগৰীত আৰু ভাঙ্গনী, টীকা, সমালোচনা, সংযোজনী, সংশোধনী আদি বঙ্গলাত দিয়া হৈছে। ভট্টাচাৰ্য্য মহাশয়ে ৰজাসকলৰ ৰাজত্বৰ আনুমানিক কাল ধৰি, বংশতালিকা, ৰাজধানীৰ অবস্থিতি আৰু দান দিয়া মাটিৰ স্থান আদি বিচাৰ কৰাতো ত্ৰুটী কৰা নাই। আমি কোনো কোনো কথাত তেখেতে সৈতে একমত হব নোৱাৰিলেও, তেখেতৰ কাৰ্য্য, অধ্যবসায়, পৰিশ্ৰম প্ৰশংসা নকৰাকৈ থাকিব নোৱাৰোঁ। তেখেতে পুথিখন তেওঁৰ মাতৃভাষা বঙ্গলাত লিখিলেও, ই অসমীয়াৰ এটি আপুৰুগীয়া সম্পত্তি বুলি স্বীকাৰ কৰিব লাগিব। ইয়াৰ পৰা এতিয়া বহুত তথ্য কৃতবিদ্য জনৰ হাতৰ পৰা ওলোৱা সম্ভৱ। পুথিখন ইংৰাজীত হোৱা হলে, ই আজি পৃথিবীৰ সকলো সভ্যদেশৰ পুথিৰ ভঁৰালত ঠাই পালেহেঁতেন। তেওঁ যে সেই কথা অনুধাবন কৰি চোৱা নাই এনেও নহয়। পাতনিতে তেখেতে পুথিখন ইংৰাজীত নিলিখাৰ কাৰণ দৰ্শাইছে,—গতিকে আমি সেই বিষয়ে অধিক কব নোৱাৰোঁ। অধিকন্তু, কোনোজনে এই পুথিৰ অনুবাদ ইংৰাজীত উলিয়াব খুজিলে, তেখেতে তাত সন্মতি দি—প্ৰয়োজন হলে যথোচিত সাহায্য কৰিবলৈ প্ৰস্তুত আছে বুলি প্ৰতিশ্ৰুতি দিছে।

পুথিখনৰ ভূমিকাত 'ৰাজাবলী' খণ্ডত প্ৰাচীন কালৰ ৰজাসকলৰ ৰাজত্বৰ বিৱৰণ দিয়া হৈছে। সেই বিৱৰণ-সংশ্লিষ্ট ফলিবোৰ হৈছে :—

(১) পঞ্চখণ্ড নিধানপুৰৰ ভাস্কৰবৰ্ম্মাৰ ফলি।
(২) নগাওঁ হায়ংথলত পোৱা হৰ্জ্জৰ বৰ্ম্মাৰ ফলি।
(৩) তেজপুৰৰ ভাটীৰ হৰ্জ্জৰ বৰ্ম্মাৰ শিলালিপি।
(৪) " বনমাল দেৱৰ ফলি।
(৫) নগাৱঁৰ বলবৰ্ম্মাৰ ফলি।
(৬) দৰং বড়গাৱঁৰ ৰত্নপালৰ ফলি (১ম)।
(৭) গুৱালকুছিৰ " " (২য়)।
(৮) গুৱাহাটীৰ ইন্দ্ৰপালৰ ফলি (১ম)।
(৯) গুৱাকুছিৰ " " (২য়)।
(১০) গুৱাহাটীৰ ধৰ্ম্মপালৰ ফলি (১ম)।
(শুভঙ্কৰ পাটক লিপি)
(১১) ৰংমহল, আঠগাৱঁৰ ধৰ্ম্মপালৰ ফলি (২য়)।
(পুষ্পভদ্ৰা লিপি)

এই কেইখন ফলি * লৈয়ে পুথিৰ প্ৰধান অংশ পূৰ্ণ হৈছে। সকলো ফলিতে প্ৰাগ্‌জ্যোতিষাধিপতি নৰক-ভগদত্তৰ উল্লেখ থকাত ভট্টাচাৰ্য্যে তেওঁলোকৰ প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ প্ৰাচীনত্ব দেখাবলৈ বৰ যত্ন কৰিছে। আমি তেখেতৰ অধিকাংশ কথাৰে আহিলা লৈ এই প্ৰবন্ধৰ অৱতাৰণা কৰিলোঁ। ইয়াৰ ঠায়ে ঠায়ে তেওঁৰ ভাবানুসৰণ কৰা হৈছে আৰু যি যি ঠাইত তেওঁৰ লগত আমাৰ মতৰ অনৈক্য তাকো উল্লেখ কৰা হৈছে।

আৰম্ভণিতে আমি কওঁ, আমাৰ দেশ অতি প্ৰাচীন। ইয়াৰ নাম প্ৰাগ্‌জ্যোতিষ (Light of the East) এই নাম কেতিয়াৰ পৰা হৈছিল, তাক নিশ্চয়কৈ কব নোৱাৰি। ইয়াৰ নামৰ অন্বয় বা অৰ্থৰ পৰা এইটো অনুমান হয় যে, ই ভাৰতৰ আন আন প্ৰদেশৰ বহুপূৰ্ব্বে সভ্যতাৰ পোহৰ পোৱা সমৃদ্ধিশালী দেশ। পুৰাণত উক্ত আছে, ইয়াতে ব্ৰহ্মাই প্ৰথম নক্ষত্ৰ সৃষ্টি কৰে দেখি, ইয়াৰ প্ৰাগ্‌জ্যোতিষ নাম খ্যাত। এই কথা যদি সঁচা হয়, তেনেহলে ই কত যুগ-যুগান্তৰৰ ঘটনা। পুৰাণত ইয়াক স্বৰ্গোপম পৱিত্ৰ বুলি বৰ্ণনা কৰা আছে। ইয়াৰ পৰা ধৰি লব পাৰো, ই ভাৰতৰ ভিতৰত উজ্জ্বল সভ্যতাৰ আদি স্থলী। ইয়াৰ মানুহ জ্ঞান, বিদ্যা, যশস্যাত দেৱতুল্য আছিল। সময়ত পাৰ্ব্বত্য অসভ্য হীনাচাৰী মানুহ প্ৰবল হৈ উঠি এই চাম মানুহক তল পেলায়। সিহঁতেই সম্ভৱতঃ কিৰাত বুলি অভিহিত হয়। অথবা আগৰ চাম মানুহেই ক্ৰীয়াহীন হৈ কিৰাত নাম পাইছিল। সম্ভৱতঃ ইহঁতৰ ভিতৰতে মহাদেৱে কিৰাত-বেশ ধৰিছিল। তেওঁকে আদৰ্শ লৈ কিৰাতৰ ভিতৰতো প্ৰৱল পৰাক্ৰমী যোদ্ধা বা ৰজা হৈ পৰে। সিহঁতৰে শেষ ৰজা ঘটক কিৰাত। ঘটক

* পুথিত বৈদ্যদেৱৰ ফলি নাই। তেওঁ চাবেক কামৰূপৰ ৰজা নহয় দেখি, তেওঁৰ ফলি পুথিত ভুক্ত কৰা নাই। বৈদ্যদেৱ গৌড়ৰ পৰা আহি ৰজা হৈছিল আৰু কামৰূপতে ব্ৰাহ্মণক মাটি দান কৰিছিল। এনে স্থলত তেওঁৰ নাম পুথিত থকা উচিত আছিল।

কিৰাতক বিষ্ণুৱে তেওঁৰ পুত্ৰ নৰকক বিদেহৰ পৰা আনি যুদ্ধত মৰায় আৰু কিৰাতবোৰক দিক্কৰবাসিনী পাৰকৈ পূবলৈ খেদায়। এনেকৈ ৰাজ্য নিষ্কণ্টক হৈ উঠাত বিষ্ণুৱে নৰকক ইয়াৰ ৰজা পাতে। অৱশেষত তেওঁ নৰকক কামাখ্যাৰ পূজা অৰ্চ্চনা কৰিবলৈ আৰু দেৱ-ব্ৰাহ্মণৰ বিদ্ৰোহ আচৰণ নকৰিবলৈ উপদেশ দি গুচি যায়। বিষ্ণু-ভক্ত নৰকে ৰজা হৈ বিদেহৰ পৰা বহুত ব্ৰাহ্মণ-সজ্জন আনি নিজ ৰাজ্যৰ ভিতৰত পাতে আৰু সাধু-জ্ঞানী পাত্ৰ-মন্ত্ৰী আদিৰে দেশ শাসন কৰিবলৈ ধৰে। কিছুদিনৰ মূৰত নৰকৰ তলতীয়া শোণিতপুৰ খণ্ডৰ মিত্ৰ ৰজা বাণে নৰকক কুপৰামৰ্শ দিবলৈ ধৰে। নৰক সেই কুপৰামৰ্শত পৰি অসুৰ স্বভাৱ আচৰি কামাখ্যাক নমনা হয়, দেৱ-ব্ৰাহ্মণৰ অনিষ্ট কৰিবলৈ ধৰে। এনে কি তেওঁ আগৰ বিজ্ঞ পাত্ৰ-মন্ত্ৰীবোৰ খেদি, তেওঁলোকৰ ঠাই উগ্ৰ অসুৰ স্বভাৱী মানুহেৰে পূৰ কৰিবলৈ ধৰে। তেতিয়াৰ পৰাই তেওঁ কংসৰ দৰে অসুৰ সংজ্ঞা পায়। কিন্তু প্ৰকৃততে তেওঁ কোনো অসুৰ বা অনাৰ্য্য নহয়। সময়ত নৰকৰ উৎপাত ইমান বাঢ়িল যে স্বৰ্গ-মৰ্ত্ত্যত দেৱ মানুহ থাকিব নোৱৰা হল, সকলোতে তোলপাৰ লাগিল। পুৰাণত উক্ত আছে, নৰকে বৰুণপুৰীলৈ গৈ বৰুণৰ ছত্ৰ আৰু স্বৰ্গজয় কৰি ইন্দ্ৰৰ মাতৃ অদিতিৰ কুণ্ডল হৰণ কৰি আনে।* তেতিয়া ইন্দ্ৰে উপায় নাপাই দ্বাৰকাধিপতি শ্ৰীকৃষ্ণক সকলো দুখ জনায়গৈ। কৃষ্ণে নৰকৰ লগত যুদ্ধ কৰিবলৈ সন্মত হৈ গৰুড়ত উঠি প্ৰাগ্‌জ্যোতিষলৈ আহে। দুয়োৰে ঘোৰতৰ যুদ্ধ লাগে। যুদ্ধত কৃষ্ণে নৰকক মাৰে আৰু অদিতিৰ কুণ্ডল উদ্ধাৰ কৰে। অৱশেষত কৃষ্ণে নৰকৰ পুত্ৰ ভগদত্তক প্ৰাগ্‌জ্যোতিষৰ সিংহাসনত ৰজা পাতি দ্বাৰকালৈ গুচি যায়।

* এই কথাত যে কিবা সত্যতা নাই, এনে বুলিব নোৱাৰি। তেতিয়াৰ প্ৰাগ্‌জ্যোতিষৰ দক্ষিণে সাগৰৰ কোনো দ্বীপকে বৰুণপুৰী বোলা সম্ভৱ, ব্ৰহ্মদেশৰ অংশবিশেষকে ইন্দ্ৰৰ স্বৰ্গ বুলিছিল যে, তাত সন্দেহ নাই। তাৰে পৰা নৰকে (ব্ৰহ্মদেশৰ ৰাজমাতৃৰ) কুণ্ডল হৰণ কৰা বুলি ধৰিব পাৰি। আজিও ব্ৰহ্মদেশৰ ৰাজধানীৰ নাম ইন্দ্ৰপুৰীৰ নাম অনুসাৰে অমৰাপুৰেই ৰৈছে।

এই নৰক আৰু তেওঁৰ ৰাজ্য প্ৰাগ্‌জ্যোতিষৰ নাম ৰামায়ণ, মহাভাৰত, হৰিবংশ, বিষ্ণুপুৰাণত উল্লেখ কৰা আছে। ব্ৰহ্মাণ্ড পুৰাণতো প্ৰাচ্য দেশৰ ভিতৰত প্ৰাগ্‌জ্যোতিষৰ নাম উল্লেখ আছে। এনেকৈ বায়ু, মৎস্য, অগ্নি, গৰুড়, মাৰ্কণ্ডেয় পুৰাণতো প্ৰাগজ্যোতিষৰ নাম পোৱা যায়। ইয়াৰ পৰাই সিদ্ধান্ত কৰিব পাৰি, আমাৰ দেশৰ প্ৰাগজ্যোতিষ নাম অনেক যুগৰ,—এনে কি ৰামায়ণ, মহাভাৰতৰো আগ—আন নাম পৰবৰ্ত্তী যুগৰ।

নৰকৰ ৰাজধানী ৰাজ্যৰ নাম অনুসৰি প্ৰাগ্‌জ্যোতিষপুৰ হয়। বৰ্ত্তমান গুৱাহাটীয়ে প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰৰ অংশ তাক সকলো ঐতিহাসিকে স্বীকাৰ কৰে। এতিয়াও গুৱাহাটীৰ ওচৰৰ নৰকাসুৰ পাহাড় আৰু অসুৰৰ আলিয়ে নৰকৰ নাম চিৰস্মৰণীয়কৈ ৰাখিছে। নৰকাসুৰ পাহাড়তে নৰকে বাস কৰা সম্ভৱ। কামাখ্যালৈ উঠা বাট বা খটখটীও নৰকাসুৰৰ বাট নামে প্ৰসিদ্ধ। আন নালাগে, তেওঁৰ দিনৰ কামাখ্যা পীঠেই সকলো কথাৰ সাক্ষী দিয়ে। আজিও কামাখ্যা মন্দিৰৰ তল অংশ নৰকৰ দিনতে সজা বুলি মানুহে কয়। বৰ্ত্তমান গুৱাহাটী ছহৰৰ চাৰিওদিশে যিবোৰ পাহাড়-পৰ্ব্বত দেখা যায়, সিমান দূৰলৈকে প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰৰ সীমা থকা নিশ্চয়। এইবোৰ পাহাড়ৰ বেৰাকে পুৰাণত গিৰিদুৰ্গ বুলিছে। এইবোৰ গিৰিদুৰ্গকে ভেদ কৰি কৃষ্ণে প্ৰাগ্‌জ্যোতিষপুৰ সোমাইছিলহি।

ভগদত্তও পিতৃৰ উপযুক্ত পুত্ৰ। তেৱোঁ বৰ পৰাক্ৰমী বীৰপুৰুষ আছিল। তেওঁৰ দিনত বা তেওঁৰ পুত্ৰ বজ্ৰদত্তৰ দিনত প্ৰাগ্‌জ্যোতিষ ৰাজ্য তিৰ্ব্বতৰ সীমা অতিক্ৰম কৰি চীনৰ কিছু অংশলৈকে বিস্তৃত হোৱাৰ প্ৰমাণ পোৱা যায়। মহাভাৰতৰ উদ্যোগপৰ্ব্বত (৪ৰ্থঃ অঃ ১১শ শ্লোঃ) ভগদত্তক 'পূৰ্ব্বসাগৰবাসী' আৰু দ্ৰোণ পৰ্ব্বত (২৫শ অঃ ৫২ম শ্লোঃ) 'পৰ্ব্বতপতি' বোলা হৈছে। সভাপৰ্ব্বৰ (৩৪ অঃ ১০ম শ্লোঃ) পৰা দেখা যায়, 'সাগৰানুপবাসী' ম্লেচ্ছবিলাকে সৈতে তেওঁ যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত উপস্থিত হৈছিল। এইবোৰ বাক্যৰ পৰাই কব পাৰি, ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ-পূৰ্ব্বৰ পৰ্ব্বতমালা অতিক্ৰম কৰি সমুদ্ৰৰ উপকূল পৰ্য্যন্ত বহুদূৰ ভগদত্তে ৰাজ্য

বহলাইছিল। বনমালৰ তাম্ৰশাসনত (৫-৬ শ্লোঃ) লিখিছে ভগদত্তে পৈতৃক ৰাজ্য প্ৰাগ্‌জ্যোতিষৰ অধিকাৰ লাভ কৰিয়েই সন্তুষ্ট থকা নাছিল ;—তেওঁ প্ৰাগ্‌জ্যোতিষৰ কাষৰিত থকা পৰ্ব্বতীয়া দেশবোৰত আধিপত্য লাভ কৰি ৰাজ্যৰ সীমা উত্তৰে আৰু পূবে ভালেমান বঢ়াইছিল ;—তেওঁ পূবসাগৰ পৰ্য্যন্ত ৰাজ্য অধিকাৰ কৰিছিল।

ভগদত্তে কুৰুক্ষেত্ৰ যুদ্ধত ৰাজ্যৰ নানা ঠাইৰ এক অক্ষৌহিনী সেনা লৈ দুৰ্য্যোধনৰ পক্ষত যোগ দিছিলগৈ। তেওঁ প্ৰবলপৰাক্ৰমেৰে ১২ দিন যুদ্ধ কৰি, অৱশেষত অৰ্জ্জুনৰ হাতত পৰে (দ্ৰোণ পঃ ২৮ অঃ)। তেওঁৰ অদ্ভুত বীৰত্ব কাহিনীয়ে চিৰকাল আমাৰ দেশৰ নাম উজলকৈ ৰাখিছে আৰু ৰাখিবও।

মানুহৰ মুখত শুনা যায় ভগদত্তে তেওঁৰ ভনীয়েক ভানুমতীক মহা আড়ম্বৰেৰে দুৰ্য্যোধন ৰজাক বিয়া দিছিল ; সেই সময়তে প্ৰাগ্‌জ্যোতিষপুৰত (বৰ্ত্তমান গুৱাহাটীত) এটা প্ৰকাণ্ড পুখুৰী* খনোৱা হৈছিল। ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাৰ বুৰঞ্জীতো দুৰ্য্যোধনক ভগদত্তৰ ভগিনীপতি বুলিছে। কিন্তু বঙ্গলা কাশীৰাম দাসৰ মহাভাৰতত ভানুমতীক ভগদত্তৰ কন্যা বোলা হৈছে,—আৰু সেই ভানুমতীৰ লগতে দুৰ্য্যোধনৰ বিয়া দিয়া হোৱা কাহিনী বিস্তৃতকৈ বৰ্ণোৱা আছে। এইবোৰ কথা মূল মহাভাৰতত পোৱা নাযায়, কিন্তু কোনো পুৰাণত যে আছে এইটো নিশ্চয়।

ভগদত্তে তেওঁৰ ৰাজ্যৰ নানা ঠাইত স্কন্ধাবাৰ বা বাহৰ পাতি বাস কৰি ফুৰাৰ প্ৰমাণ পোৱা যায়। শ্ৰীহট্টৰ উত্তৰ-পশ্চিমৰ পাৰ্ব্বত্য স্থানত 'ভগদত্তৰ বাড়ী' আছিল বুলি তাৰ মানুহে কয়। ময়মনসিংহৰ উত্তৰ-পশ্চিমৰ অৰণ্যৰ মাজতো 'ভগদত্ত ৰাজাৰ বাড়ী'ৰ নাম শুনা যায়। মহাৰাজ সূৰ্য্যকান্তৰ "শিকাৰ কাহিনীতো" মধুপুৰৰ হাবিত "ভগদত্ত ৰাজাৰ বাড়ীৰ" নাম উল্লেখ কৰা আছে। সম্ভৱতঃ ৰাজ্যৰ সুশাসনৰ বাবেই ভগদত্তে এনেকৈ ৰাজ্যৰ নানা ঠাইত ঘৰ-দুৱাৰ কৰাই বাস কৰি ফুৰিছিল।

* অনেকে অনুমান কৰে, গুৱাহাটীৰ দীঘলী পুখুৰীয়েই ভগদত্তে খনোৱা সেই পুখুৰী।

ভগদত্তৰ পুত্ৰ বজ্ৰদত্তও এজন বীৰ। তেওঁৰ কথা মহাভাৰত অশ্বমেধ পৰ্ব্বত (৭৫-৭৬ অঃ) দিয়া আছে। তাত বজ্ৰদত্তে অৰ্জ্জুনক কৈছে,—তুমি মোৰ পিতৃক বুঢ়া কালত পাই বধ কৰিলা। মই (তেওঁৰে পুত্ৰ) শিশু, এতিয়া মোৰ লগত যুদ্ধ কৰা। ইয়াৰ পৰা বুজা যায় ভাৰত-যুদ্ধৰ সময়ত বজ্ৰদত্ত নিচেই সৰু আছিল,—সেই কাৰণে বোধ হয়, তেওঁ পিতাকৰ লগত যুদ্ধলৈ যোৱা নাছিল। তেওঁ পিতৃঘাতী অৰ্জ্জুনৰ লগত বৰ পৰাক্ৰমেৰে তিনি ৰাতি যুজে ; তাৰ পাচে, যেতিয়া তেওঁৰ প্ৰচণ্ড বাহন হাতীটি যুদ্ধত পৰে, তেতিয়া তেৱোঁ মাটিত পৰি যায়। সেই সময়ত অৰ্জ্জুনে বজ্ৰদত্তক যুদ্ধত ক্ষান্ত হুবলৈ দি তেওঁলোকৰ অশ্বমেধ যজ্ঞলৈ নিমন্ত্ৰণ কৰি যায়।

ভগদত্ত আৰু বজ্ৰদত্তৰ যুদ্ধত হাতীৰ বিশেষ উল্লেখ দেখা যায়। হাতী এতিয়াও অসমৰ এটা বিশেষ সম্পত্তি। এই বংশৰ সকলো ৰজাৰ তাম্ৰশাসনত গঁথা মোহৰত (Seal) হাতীৰ মূৰ্ত্তি থকাত আমাৰ দেশৰ গজ-সম্পদ গৌৰবান্বিত কৰি তুলিছে।

পুথিত আলোচিত সকলো ফলিতে নৰক, ভগদত্ত আৰু বজ্ৰদত্তৰ নাম উল্লেখ কৰিছে সেই বংশৰ অধস্তন পুৰুষ সকলৰ নাম কৰিছে। কেৱল ধৰ্ম্মপালৰ ফলিতহে বজ্ৰদত্তৰ নাম নাই। ভাস্কৰ বৰ্ম্মা, ইন্দ্ৰপালৰ ফলিত বজ্ৰদত্তক ভগদত্তৰ পুত্ৰ বুলি স্পষ্টকৈ দেখাইছে। সেই সম্বন্ধ মহাভাৰতৰ সৈতে মিলে। কিন্তু বনমাল, বলবৰ্ম্মা আৰু ৰত্নপালৰ ফলিত বজ্ৰদত্তক ভগদত্তৰ ভায়েক বুলি দেখায়। ইয়ে ফলিৰ আখৰ কটা মানুহৰ ভুল, তাৰ সন্দেহ নাই। সিহঁতে ভুল কৰি 'তনুজক' 'অনুজ' কৰিছিল। কিন্তু তিনিখন ফলিত ক্ৰমান্বয়ে সেই কথা থকাত অলপ ভাবিব লগীয়া। বোধ হয়, বনমাল দেৱৰ ফলিত, বলবৰ্ম্মা আৰু ৰত্নপালে যিদৰে দেখিছিল, সেইদৰে তেওঁলোকৰ ফলিতো লেখাইছিল। তাক আৰু শুধৰাবলৈ কোনো যত্ন নকৰিলে।

হৰ্ষচৰিতত ভগদত্ত আৰু বজ্ৰদত্তৰ মাজতে পুষ্পদত্ত বুলি এজনৰ নাম উল্লেখ আছে। এই পুষ্পদত্ত আকৌ ভগদত্তৰ ভায়েকে নে পুতেকে ঠিক ধৰা টান। যেতিয়ালৈকে আন

কোনো পুথিত পুষ্পদত্তৰ নাম পোৱা নাযায়, তেতিয়ালৈকে পুষ্পদত্তক ভগদত্তবংশীয় বুলি কব নোৱাৰি।

ইমান পৰে আমি প্ৰাগজ্যোতিষৰ খ্যাতি বৰ্ণালোঁ আৰু তাৰ লগতে নৰক ভগদত্ত আদিৰ বিচাৰ কৰিলোঁ। সম্প্ৰতি 'কামৰূপ' নাম কেতিয়াৰ পৰা হল তাৰো অলপ বিচাৰ কৰিবলৈ আগবাঢ়িলোঁ।

পুৰাণ আৰু তন্ত্ৰত কামৰূপৰ বৰ খ্যাতি। কালিকা-পুৰাণৰ এটা শ্লোকত লিখা আছে, শম্ভুৰ নেত্ৰবহ্নিত কামদেৱ ভস্ম হৈ পুনৰ ইয়াতে ৰূপ পাইছিল দেখি ইয়াৰ নাম কামৰূপ হয়।* পুৰাণৰ এই উক্তি যদি সত্য হয়, তেনেহলে কামৰূপ নামো নিচেই আধুনিক বুলিব নোৱাৰি। কিন্তু সেই নাম পূৰ্ব্বে কিছুদিন তল পৰি থকা সম্ভৱ, যেনেকৈ বৃহদ্ধৰ্ম্ম পুৰাণৰ কামৰূপৰ অপৰ নাম 'মায়া' এতিয়াও তল পৰি আছে। আমাৰ বোধেৰে ১ম শতাব্দীমানৰ পৰা আমাৰ দেশৰ 'কামৰূপ' নাম ভালদৰে জিলিকি উঠে। তেতিয়া দেবেশ্বৰ নামে শূদ্ৰৰজা এজনে কামৰূপত লিঙ্গপূজা প্ৰচলিত কৰে বুলি বুৰঞ্জীয়ে কয়, আৰু এই সম্বন্ধে যোগিনীতন্ত্ৰেও প্ৰমাণ দিয়ে। ৪ৰ্থ শতাব্দীত প্ৰয়াগত আবিষ্কৃত সমুদ্ৰবৰ্ম্মাৰ স্তম্ভলিপিত তেওঁৰ মিত্ৰ ৰাজ্যৰ লগত কামৰূপ নামো উক্ত হৈছে। ৬ষ্ঠ শতাব্দীৰ কালিদাসৰ ৰঘুবংশত ৰঘুৰ দিগ্বিজয় প্ৰসঙ্গত কামৰূপ আৰু প্ৰাগজ্যোতিষ দুয়ো নামৰ উক্তি দেখা যায়। ৭ম শতাব্দীৰ হুৱেনচাঙৰ ভ্ৰমণ বিৱৰণত কামৰূপৰ উল্লেখ আছে। ৮ম শতাব্দীৰ বা তাৰ পাচৰ পৰা তন্ত্ৰযুগত কামৰূপৰ নাম যে ভাৰতপ্ৰসিদ্ধ তাক আৰু কবই নালাগে। এতেকে আমাৰ দেশৰ অতীজৰে পৰা হোৱা নাম প্ৰাগ্‌জ্যোতিষ, তাৰ পাচে কামৰূপ। সেই চিৰ-প্ৰসিদ্ধ কামৰূপ নাম এতিয়া কুঁচি গৈ কামাখ্যাপীঠ থকা জিলাখনিত হে ৰৈছেগৈ।

আমি পৌৰাণিক যুগৰ কথা লৈ প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপৰ ইমানখিনি কথা বগালোঁ। এতিয়া ভট্টাচাৰ্য্যৰ পুথিত আলচ কৰা ফলিবিলাকলৈ যাওঁ। পূৰ্ব্বে কোৱা হৈছে, তেনেতে আলচ কৰা ১ম ফলি ভাস্কৰবৰ্ম্মাৰ। এই ফলিখন এতিয়ালৈকে ওলোৱা ফলিবিলাকৰ ভিতৰত পুৰণি, দীঘল আৰু বহুকথাৰে ভৰা। ভট্টাচাৰ্য্যে ইয়াৰ ৭ ফলক বা ছটা আছিল বুলি প্ৰমাণ পাইছে ; তাৰে এছটা এতিয়াও ওলোৱা নাই। তেখেতৰ যত্নত এইখনো ওলোৱা সম্ভৱ। সেই ফলিত ভাস্কৰবৰ্ম্মাৰ ১১শ উপৰি পুৰুষৰ নাম আছে। তেখেতে আনুমানিক সময় নিৰ্দ্দেশ কৰি যি বংশতালিকা দিছে তাক তলত দিলো—

আনুমানিক সময়	ৰজাৰ নাম
৪ৰ্থ শতাব্দী (মধ্যভাগ)	পুষ্যবৰ্ম্মা
	সমুদ্ৰবৰ্ম্মা = (পত্নী) দত্তদেবী
	বলবৰ্ম্মা = ৰত্নৱতী
৫ম শতাব্দী	কল্যাণবৰ্ম্মা = গন্ধৰ্ব্ববতী
	গণপতিবৰ্ম্মা = যজ্ঞবতী
	মহেন্দ্ৰবৰ্ম্মা = সুব্ৰতা
	নাৰায়ণবৰ্ম্মা = দেববতী
৬ষ্ঠ শতাব্দী	মহাভূতবৰ্ম্মা = বিজ্ঞানবতী (ভূতিবৰ্ম্মা = হৰ্ষচৰিত)
	চন্দ্ৰমুখ বৰ্ম্মা = ভোগৱতী
	স্থিতবৰ্ম্মা = নয়নদেবী
	সুস্থিতবৰ্ম্মা = শ্যামাদেবী (মৃগাঙ্ক)
৭ম শতাব্দী (পূৰ্ব্বাৰ্দ্ধ)	সুপ্ৰতিষ্ঠিত বৰ্ম্মা / ভাস্কৰবৰ্ম্মা

ভাৰত সম্ৰাট্ হৰ্ষবৰ্দ্ধনৰ কাল ধৰি ভাস্কৰবৰ্ম্মাৰ কাল নিৰ্দ্দেশ কৰা হৈছে। হৰ্ষবৰ্দ্ধনৰ ৰাজত্বকাল ৬০৬ খৃষ্টাব্দ। সেই সময়তে অৰ্থাৎ ৬০৬ খৃষ্টাব্দতে ভাস্কৰবৰ্ম্মাৰ দূত গৈ হৰ্ষৰ লগত তেওঁৰ লগত মিত্ৰতাৰ প্ৰস্তাৱ কৰে। গতিকে, সেই সময়তে বা তাৰ অলপ আগতে ভাস্কৰৰ ৰাজত্বৰ সূচনা হয় বুলি কব পাৰি। চীন-পৰিব্ৰাজক হুৱেনচাং ৬৪৩

* শম্ভোৰ্নেত্ৰাগ্নি নিৰ্দ্দগ্ধঃ কামঃ শম্ভোৰনুগ্ৰহাৎ।
তত্ৰৰূপং যুতঃ প্ৰাপ কামৰূপ ততোমতম্ ॥—কাঃ পুঃ

খৃষ্টাব্দত কামৰূপলৈ আহে। ভাস্কৰেই তেওঁক কামৰূপলৈ মাতি আনে অৰ্থাৎ ভাস্কৰৰ ৰাজত্বতে চীন-পৰিব্ৰাজকৰ পদাৰ্পণ হয়। চাৰি পুৰুষত এক শতাব্দী ধৰি মহাভূত বৰ্ম্মা (বা ভূতিবৰ্ম্মা) ষষ্ঠ শতাব্দীৰ আৰম্ভণিতে ৰাজত্ব কৰে বুলি ভট্টাচাৰ্য্যৰ অনুমান। সেই হিচাবে পুষ্যবৰ্ম্মা ৪ৰ্থ শতাব্দীত বিদ্যমান থকা বুলি ধৰা হৈছে। ইয়াৰ সমৰ্থনৰ বাবে আৰু এটা কথা কোৱা হৈছে;—সমুদ্ৰবৰ্ম্মা আৰু তেওঁৰ পত্নী দত্তদেবীৰ নামৰ লগত বিখ্যাত সমুদ্ৰগুপ্ত (যি চতুৰ্থ শতাব্দীৰ মধ্যভাগত সম্ৰাট্‌ৰূপে বিৰাজমান আছিল) আৰু তেওঁৰ মহিষী দত্তদেবীৰ নামৰ সাদৃশ্যত বোধ হয়, সমুদ্ৰবৰ্ম্মাৰ পিতৃ পুষ্যবৰ্ম্মা সমুদ্ৰগুপ্তৰ সমসাময়িক আছিল আৰু তেওঁৰ অধিৰাজত্ব স্বীকাৰ কৰি তেওঁৰ লগত মিত্ৰ হৈ, সেই মহা পৰাক্ৰান্ত সম্ৰাটৰ নাম অনুসাৰে কেৱল যে তেওঁৰ পুত্ৰৰ নাম ৰাখিছিল এনে নহয়, পুতেকৰ স্ত্ৰী অৰ্থাৎ বোৱাৰীয়েকৰ নামো সম্ৰাট্ পত্নীৰ নামত আখ্যাত কৰিছিল অথবা সেই নামৰ কন্যা বাছি-বিচাৰি পুত্ৰৰ লগত বিয়া দিছিল। এই নামৰ সাদৃশ্য দেখি এসময়ত প্ৰধান ঐতিহাসিক ডাঃ ভিন্সেণ্ট্ এ, স্মিথ চাহাবেও আচৰিত মানিছিল। আচৰিত হবৰে কথা, ইটো কম কেৰামতি দেখুৱা কথা নহয়। ভাৰত সম্ৰাট আৰু সম্ৰাজ্ঞীৰ নামে পুত্ৰ আৰু পুত্ৰবধূৰ নামকৰণ কৰিবলৈ কোনে সাহ কৰিব পাৰে? যি বলে বীৰ্য্যে শ্ৰেষ্ঠ স্বাধীন ৰজা, তেওঁ পাৰে, তলতীয়া মিত্ৰ দুৰ্ব্বল ৰজাই কেতিয়াও নোৱাৰে। পুষ্যবৰ্ম্মা ভাৰতসম্ৰাটৰ লগত মিত্ৰ হব পাৰে, তেওঁ ভাৰত-সম্ৰাটৰ অধীনত্ব স্বীকাৰ কৰা বুলি ওপৰত দিয়া কথাই প্ৰমাণ নকৰে। ওপৰৰ কথাই কেৱল কাল নিৰ্ণয়ত সহায় কৰিছে মাথোন। তাত বাজে আন কথা অতিৰঞ্জিত যে তাত সন্দেহ নাই।

ভট্টাচাৰ্য্যে এই যুগৰ ৰজাসকলৰ ভিতৰত ভাস্কৰ-বৰ্ম্মাকে বৰ খ্যাতিমন্ত সৌভাগ্যশালী ৰজা বুলিছে। তেওঁ তিনি ঠাইৰ পৰা ভাস্কৰবৰ্ম্মাৰ সম্বন্ধে বিশ্বাসযোগ্য উপকৰণ লৈছে। ১ম—মহাকবি বাণভট্টৰ হৰ্ষচৰিত (৭ম উল্লাস), ২য়—ভাস্কৰবৰ্ম্মাৰ নিজা তাম্ৰশাসন আৰু তৃতীয়—চীন-পৰিব্ৰাজক হুৱেনচাঙৰ বিবৰণী।

হৰ্ষচৰিতত লিখা আছে,—যেতিয়া হৰ্ষবৰ্দ্ধনে তেওঁৰ জ্যেষ্ঠ ভ্ৰাতৃ ৰাজ্যবৰ্দ্ধনক গৌড়াধিপে বধ কৰা শুনে, তেতিয়া তেওঁ গৌড়াধিপৰ বিপক্ষে যুদ্ধযাত্ৰা কৰি যায়। কিছুদূৰ গৌড়ৰ ফালে আগবঢ়াত বাটতে ভাস্কৰবৰ্ম্মাৰ দূত হংসবেগ আহি তেওঁৰ লগত ভেট হৈ নানা উপহাৰেৰে হৰ্ষৰ লগত ভাস্কৰৰ মৈত্ৰী-বন্ধনৰ প্ৰস্তাৱ কৰে। দূতে উপহাৰৰ যি যি বস্তু নিছিল, সেইবোৰ এই—পূৰ্ব্বৰ ৰজাসকলৰ কোনো কোনো পোছাক, মূল্যবান্ অলঙ্কাৰে সৈতে সুন্দৰ কাপোৰ, পানপাত্ৰ, মৃগচৰ্ম্ম, বেতৰ আসন, অগুৰুত্বকত (সাঁচিপাতত) লিখা পুথি, নানা সুগন্ধি দ্ৰব্য, গান্ধকলাই, বগা-কলা চোঁৱৰ, নানাবিধ জীৱজন্তু (বান্দৰ, ভাটৌ, শালিকা ইঃ)। ভট্টাচাৰ্য্যে আৰু লিখিছে,—ভাস্কৰবৰ্ম্মাৰ পিতৃ সুস্থিতবৰ্ম্মা (গৌড়ৰ) মহাসেন গুপ্তৰ হাতত পৰাস্ত হৈছিল। সেই মহাসেনৰে পুতেক নে ভায়েক নৰেন্দ্ৰ গুপ্তই (শশাঙ্ক) তেতিয়া গৌড়ৰ অধিপতি বুলি হৰ্ষচৰিতত উল্লেখ কৰা আছে। সেই শশাঙ্কে সাৰ্ব্বভৌম বা চক্ৰবৰ্ত্তী ৰজা হবলৈ আকাঙ্ক্ষা কৰা দেখি, ভাস্কৰবৰ্ম্মাই তেওঁলৈ ভয় কৰি, সেই শশাঙ্কৰ বিৰুদ্ধে অভিযানকৈ অহা হৰ্ষ-বৰ্দ্ধনৰ লগত মিত্ৰতা থাপিবলৈ তেনেবোৰ মূল্যবান উপহাৰ দি দূত হংসবেগক পঠায়। ভাস্কৰে দূতৰ মুখত যি কেইটা কথা কৈ পঠায়, সেইবোৰ উল্লেখযোগ্য। তাৰে পৰা সূত্ৰ পাই ভট্টাচাৰ্য্যে এনে মন্তব্য প্ৰকাশ কৰা মনে ধৰে। সেই কথা কেইটা এই,—"শিশুকালৰে পৰা ভাস্কৰৰ দৃঢ় সঙ্কল্প এই যে, মহাদেৱৰ পাদপদ্মত বাজে আনক নমস্কাৰ নকৰিব। এনে মনোৰথ তিনটা কৰ্ম্মৰ পৰা সম্পন্ন হব পাৰে;—সমস্ত পৃথিবী জয় কৰিলে, মৃত্যু হলে অথবা প্ৰচণ্ডপ্ৰতাপী হৰ্ষৰ লগত মিত্ৰতা কৰিব পাৰিলে।" হৰ্ষবৰ্দ্ধনে তেতিয়া আনন্দেৰে ভাস্কৰৰ মিত্ৰতা স্বীকাৰ কৰি প্ৰধান দূতৰ হাতত নানা ভেট-উপহাৰ দি ভাস্কৰবৰ্ম্মাক সন্মানিত কৰিলে।

দূতৰ কথাৰ পৰা আমি প্ৰাচীন কামৰূপৰ কেইটিমান কথাৰ সন্ধেদ পাওঁ। ভাস্কৰৰ দিনত কামৰূপত শৈৱধৰ্ম্ম প্ৰবল আছিল। তাক আমি ভাস্কৰৰ ফলিৰ আৰম্ভণি শ্লোকৰ পৰাও বুজিব পাৰোঁ। হুৱেনচাঙৰ বিৱৰণীৰ

পৰাও কামৰূপত হিন্দুধৰ্ম্মই প্ৰবল আছিল, বৌদ্ধপ্ৰভাৱ সোমোৱা নাছিল বুলি প্ৰমাণ পোৱা যায়। দ্বিতীয়তঃ আমি জানিব পাৰোঁ, মহাপৰাক্ৰমী ভাস্কৰে আন-দেশৰ সৰু-সুৰা ৰজাৰ ওচৰত নত নহৈছিল বা তেনে ৰজাৰ সৈতে মিত্ৰতা পাতিবলৈ ইচ্ছা নকৰিছিল, তেনে কৰাতকৈ বৰং মৃত্যুই শ্ৰেয়ঃ বুলি ভাবিছিল। যদি তেওঁ ইচ্ছা কৰিছিল, একমাত্ৰ তেতিয়াৰ পৰাক্ৰমী ভাৰতসম্ৰাট্ হৰ্ষবৰ্দ্ধনৰ লগত মিত্ৰতা। নিজে পৰাক্ৰমী নহলে কি এনে উচ্চ আকাঙ্ক্ষা কৰিব পাৰি? গতিকে, উপযুক্তৰ লগত উপযুক্তৰ মিত্ৰতা হবই। ভাস্কৰে শশাঙ্কলৈ ভয় কৰি এই মিতিৰালি পতা মনে নধৰে। কিয়নো, তেতিয়া ভাস্কৰ আৰু শশাঙ্কৰ প্ৰকাশ্যে কোনো শত্ৰুতা থকা বুলি বোধ নহয়। যদি শত্ৰুতাই আছিল, তেনেহলে শশাঙ্কে তেওঁৰ ৰাজ্যৰ ভিতৰেদি ভাস্কৰৰ দূতক যাবলৈ দিছিল কিয়? আমাৰ বোধে, সিফালে হৰ্ষৰো অভিযান আৰম্ভ, ইফালে ভাস্কৰৰো মৈত্ৰীপ্ৰস্তাৱ প্ৰেৰণ একে সময়তে হৈ উঠিল। আৰু যদি ধৰা যায়, দূতক কোনো ৰজাই তেওঁৰ ৰাজ্যৰ ভিতৰেদি যোৱাত বাৰণ বা বধ নকৰে, তেনেহলে কব পাৰি, হৰ্ষৰ অভিযানত সহায় কৰা উদ্দেশ্যই মিতিৰালিৰ সূচনা আৰু তাৰ লগতে পিতৃ-শত্ৰুৰ পুত্ৰৰ ওপৰত প্ৰতিশোধ লোৱা। ৰাজনীতিৰ কূটচক্ৰ ভেদ কৰা টান! যি হওক, দুয়ো মিত্ৰই তেওঁলোকৰ বাহিনীৰে পূব পশ্চিম দুয়োফালৰ পৰা শশাঙ্কক যে চেপি ধৰিছিল, তাত কোনো সংশয় নাই। তেতিয়া শশাঙ্কে যুদ্ধত তিষ্ঠিব নোৱাৰি পলাই যায়; আৰু তেওঁৰ ৰাজধানী কৰ্ণসুবৰ্ণ হৰ্ষবৰ্দ্ধনৰ হাতলৈ আহে। সেই সময়ত দুয়ো মিত্ৰে শত্ৰুবিজয়ত আনন্দ-উৎসৱেৰে শশাঙ্কৰ ৰাজধানী কৰ্ণসুবৰ্ণত কিছুদিন বাস কৰে। তাৰ পাচে হৰ্ষবৰ্দ্ধনে নতুনকৈ জয় কৰা তেওঁৰ সাম্ৰাজ্যৰ এই পূব অংশৰ ভাৰ ভাস্কৰক গতাই থৈ যায়। সেইহে আমি ভাস্কৰৰ ফলিত (১ম ফলক—২-৩ শাৰী) বিস্তৰ নাও, হাতী, ঘোঁৰা, পদাতি, সম্পত্তিবিশিষ্ট সাৰ্থক জয়শব্দ-সমন্বিত কৰ্ণসুবৰ্ণত বাস কৰা কালত সেই স্কন্ধাবাৰৰ (Camp) পৰা শাসন দান কৰা পাওঁ। ভট্টাচাৰ্য্যই লিখিছে, এই শাসন দিয়া সময়ত কৰ্ণসুবৰ্ণ ভাস্কৰৰ অধীন আছিল এই কথা ঠিক বুলি কব নোৱাৰি, সম্ভৱতঃ দুয়ো মিত্ৰে মিলি প্ৰবল শত্ৰু গৌড়াধিপ শশাঙ্কক কৰ্ণসুবৰ্ণৰ পৰা খেদি যেতিয়া জয় কৰা ৰাজধানীত থাকি শত্ৰুবিজয়ত উৎসবানন্দ ভোগ কৰিছিল, তেতিয়া এই শাসন দান কৰিছিল। ঠিক কিয় বুলিব নোৱাৰি, কব নোৱাৰোঁ। কৰ্ণসুবৰ্ণ যে শাসনপত্ৰ দিয়া কালত ভাস্কৰৰ অধীন আছিল, তাক দেখোন ফলিৰ শ্লোকেই প্ৰমাণ কৰে। ভাস্কৰে উৎসৱৰ ভিতৰত ফলি দিয়া অসম্ভৱ বুলি ভাবোঁ। যেতিয়া তেওঁ হৰ্ষবৰ্দ্ধন যোৱাত কৰ্ণসুবৰ্ণৰ পাটত সুস্থিৰে অধিপতি হৈ বহে, তেতিয়াহে তেওঁ শাসনপত্ৰ দান কৰা বুলিব পাৰি। সেই কথাকো ফলিয়েই প্ৰমাণ কৰে।

ভাস্কৰবৰ্ম্মাৰ ফলিখন শ্ৰীহট্টৰ পঞ্চখণ্ডত পোৱা গৈছিল, এই কথা আগতে উনুকিয়া হৈছে। ই শ্ৰীহট্টত ওলালেও ভট্টাচাৰ্য্যে ভাস্কৰবৰ্ম্মাৰ দিনত শ্ৰীহট্ট কামৰূপৰ অন্তৰ্গত নাছিল বুলি কয়। তেওঁ সেই মত হুৱেন্‌চাঙৰ বিৱৰণৰ ওপৰত নিৰ্ভৰ কৰি কয়। আমি কওঁ, এজন বিদেশী ভ্ৰমণকাৰীয়ে যি যি ঠাই পাৰ হৈ আহিছিল, সেই সেই ঠাইৰ ভিন্ ভিন্ নাম উল্লেখ কৰাতে শ্ৰীহট্ট কামৰূপৰ অন্তৰ্ভুক্ত নথকাৰ প্ৰমাণ নকৰে। প্ৰাচীন যুগত ভগদত্ত আদিৰ দিনৰে পৰা দক্ষিণে সাগৰলৈকে সকলো অংশ কামৰূপৰ ভিতৰত থকা প্ৰমাণৰ অভাৱ নাই। সেই ৰাজ্যৰ উত্তৰ-পূব অংশৰ তিব্বত, চীন আদি ভূতিবৰ্ম্মা বা ভাস্কৰবৰ্ম্মাৰ দিনত প্ৰাগজ্যোতিষ বা কামৰূপৰ পৰা বিচ্ছিন্ন হব পাৰে, কিন্তু শ্ৰীহট্ট পূৰ্ব্ববঙ্গ আদি বিচ্ছিন্ন হোৱা অনুভৱ নহয়। ভাস্কৰৰ ফলিখন কামৰূপৰ কোনো ঠাইৰ পৰা কোনো বামুণৰ হাতত গৈ সেই ঠাই পাব পাৰে; সেইদৰে বৈদ্যদেৱৰ ফলিও কাশীত ওলাইছিল গৈ। আমি আন কথা নবগাওঁ, যদি ভট্টাচাৰ্য্যে ভাস্কৰৰ সমকালিন শ্ৰীহট্টৰ কোনো ৰজাৰ নাম উলিয়াই শ্ৰীহট্টক পৃথক ৰাজ্য প্ৰমাণ কৰিব পাৰে, তেনেহলে, তেখেতৰ মত গ্ৰহণ কৰাত আমাৰ কোনো আপত্তি নাই।

ভাস্কৰে আদেশ কৰা ফলিখনৰ ভূমিদান কাৰ্য্য হৈছিল ভাস্কৰৰ চাৰিপুৰুষ আগে, তেওঁৰ বৃদ্ধপ্ৰপিতামহ ভূতিবৰ্ম্মাৰ দিনত। সেই ফলি নষ্ট হৈ (বোধহয় পুৰি) অপাঠ্য হৈ

যোৱাত, ফলিৰ অভাবত বিষয়পতিবিলাকে ভাস্কৰবৰ্ম্মাৰ দিনত সেই মাটিত কৰ লগাব খুজিছিল। তেতিয়া ব্ৰাহ্মণ-সকলৰ বংশধৰবিলাকে নষ্ট হৈ যোৱা ফলিখন ভাস্কৰৰ পৰা আদেশ কৰাই নতুনকৈ লিখায়। যি ঠাইত শাসনপত্ৰ কৰি মাটি দিছিল, সেই ঠাই চন্দ্ৰপুৰি বিষয়ৰ অন্তৰ্গত 'ময়ূৰশাল্মলাগ্ৰহাৰ' ক্ষেত্ৰত বুলি লিখা হৈছে। এই ময়ূৰশাল্মলাগ্ৰহাৰৰ লগতে বলিচৰুসত্ৰ নামে কোনো মন্দিৰ বা সত্ৰৰো মাটি দিয়া হৈছে। এতিয়া বিচাৰ্য্য বিষয়, চন্দ্ৰপুৰি ক'ত আৰু কামৰূপৰ কোন খণ্ডত? ভট্টাচাৰ্য্য মহাশয়ে বনমাল দেৱৰ তাম্ৰশাসনত ত্ৰিস্ৰোতা (তিস্তা) নৈৰ পশ্চিমত 'চন্দ্ৰপৰি' গাৱঁৰ (?) নাম পাই, ভাস্কৰৰ ফলিৰ চন্দ্ৰপুৰি বিষয়ো তাতে বুলি নিৰ্দ্ধাৰণ কৰিছে। তেওঁ আৰু অনুমান কৰি লিখিছে,—ফলিত উক্ত ব্ৰাহ্মণ-বিলাকৰ বংশধৰবিলাকে ভাস্কৰবৰ্ম্মা কৰ্ণসুবৰ্ণলৈ যোৱাত তেওঁক ওচৰতে পাই ফলিখন নতুনকৈ (renewed) কৰাই লৈছিল। তেওঁ আৰু লিখিছে, হয় তো, ব্ৰাহ্মণবিলাকে এনেকৈ বহুদূৰত থকা ৰাজধানী প্ৰাগজ্যোতিষলৈ অহা কষ্ট এৰাইছিল। তেওঁ আৰু কয়,—'চন্দ্ৰপুৰিকে' বনমাল দেৱৰ ফলিত ভুলকৈ চন্দ্ৰপৰি লিখিছে। আমি কওঁ,—ভট্টাচাৰ্য্যৰ অনুমান সঁচা হব পাৰে, কিন্তু কেইটিমান কথালৈ চাই আমাৰ সন্দেহ জন্মে। 'চন্দ্ৰপুৰিক' বিষয় বুলিছে; চন্দ্ৰপৰিক বিষয় বোলা নাই। বনমালৰ ফলিত ত্ৰিস্ৰোতা নৈৰ উল্লেখ আছে, ভাস্কৰৰ ফলিত সেই নৈৰ উল্লেখ নাই। ভট্টাচাৰ্য্যই আৰু এটা কথা তুলি চন্দ্ৰপুৰিক তিস্তাৰ পাৰত ৰঙ্গপুৰত পাতিব খোজে। দান কৰা মাটিৰ সীমাত 'গঙ্গিনিকা' বুলি এটা শব্দ আছে—যাৰ অৰ্থ মৰা নৈ। পূৰ্ব্ববঙ্গত মৰানৈক 'গঙ্গিনা' বোলে। এই 'গঙ্গিনা' গঙ্গিনিকাৰ অপভ্ৰংশ। বৰ্ত্তমান কামৰূপ খণ্ডত এই গঙ্গিনা শব্দ চলিত নাই। ইও চন্দ্ৰপুৰি পূৰ্ব্ববঙ্গত হোৱাৰ কাৰণ।

আমি এতিয়া তেওঁৰ কথা কেইটাৰ যথাসাধ্য উত্তৰ দি যাওঁ। কৰ্ণসুবৰ্ণ বিজয়-উৎসৱত কেৱল ওচৰ পাই ৰঙ্গপুৰ খণ্ডৰে বামুণ গৈছিল, কামৰূপৰ আন অংশৰ বামুণ নগৈছিল এনে বুলিব নোৱাৰি। আন অংশৰ বামুণো ভাস্কৰৰ লগতে হক বা বিজয়-উৎসৱৰ সময়তে হক—যোৱা নিতান্ত সম্ভৱ। যেতিয়া উৎসৱ শেষ হৈ গল, তেতিয়া ভূতিৰ্ম্মাৰ ফলিত উক্ত ব্ৰাহ্মণবিলাকৰ বংশধৰবিলাকে ৰজাক জনাই নতুন শাসনৰ আদেশ কৰোৱা একো অবিশ্বাস কৰিবলগীয়া কথা নহয়। ২য়, যিকিটা কথাত বনমালৰ ফলিৰ 'চন্দ্ৰপৰি', ভাস্কৰৰ 'চন্দ্ৰপুৰিৰ' পৰা বিভিন্ন তাক কোৱা হৈছে। ৩য়, সংস্কৃত জনা পণ্ডিতে গঙ্গিনিকা শব্দটো মৰানৈৰ অৰ্থত ৰাজ্যৰ যেই-সেই খণ্ডৰ মৰানৈতে খটাব পাৰে। শব্দটোৰ অপভ্ৰংশ হৈ থকা ঠাইতে খটাইছিল, আন ঠাইত নখটাইছিল, এনে বুলি কব নোৱাৰি। ৪ৰ্থতঃ, ভট্টাচাৰ্য্য মহাশয়ে 'গঙ্গিনিকা' শব্দটো লৈ 'চন্দ্ৰপুৰি' কামৰূপৰ পশ্চিমত পাতিবলৈ যেনেকৈ টনা-আজোৰা কৰে, তেনেকৈ আমি 'বিষয়' শব্দটো লৈ পূবলৈ টানিব পাৰোঁ। 'বিষয়' শব্দটো বঙ্গদেশৰ কোনো শাসনতে নাই। এই 'বিষয়' শব্দটো তেনেই অসমীয়া; এই শব্দটোৱে আজিও কামৰূপ খণ্ডত পৰগণা বা মৌজাক বুজায় আৰু সেই বিষয় বা মৌজা আদিৰ গৰাকীক আজিও বিষয় খোৱা বা বিষয়া বোলা গুচা নাই। তদুপৰি ফলিত উক্ত গাওঁ আৰু সত্ৰখনৰো অস্তিত্ব কামৰূপ খণ্ডত চিহ্নিত (trace) কৰিব পাৰি। 'ময়ূৰ-শাল্মলাগ্ৰহাৰ' আৰু 'বলিচৰুসত্ৰ' যে 'মৌৰাশিমলীয়া—আগ্ৰা' আৰু 'বালিসত্ৰ' তাক সহজে অনুমান কৰিব পাৰি। আজিকালি 'মৌৰা-শিমলীয়া' বড়িগোগ মৌজাত আৰু 'আগ্ৰা' আৰু বালিসত্ৰ উত্তৰ বৰভাগ মৌজাত সোমাইছে। তেতিয়াৰ দিনত এই কেইখন গাওঁ চন্দ্ৰপুৰি বিষয়ৰ ভিতৰত যে আছিল তাত সন্দেহ নাই। তেতিয়া চন্দ্ৰপুৰি বিষয় কিমান দূৰ বিস্তৃত আছিল তাকো কব নোৱাৰি। সময়ত বিষয়ৰ নামত কত পৰিবৰ্ত্তন হৈছে কোনে জানে? কামৰূপ খণ্ডত বিষয় বা মৌজাৰ নামৰ শেষত পুৰিৰ অস্তিত্ব এতিয়াও আছে। যেনে—ধৰ্ম্মপুৰ, হস্তিনাপুৰ ইত্যাদি। ইমানবিলাক প্ৰমাণ সত্বে ভট্টাচাৰ্য্য মহাশয়ে চন্দ্ৰপুৰি ভাটীৰ ৰঙ্গপুৰলৈ টানি নিব নোৱাৰে। এই কেইখন গাৱঁৰ ওচৰৰ 'ক্ষেত্ৰ' বা পথাৰকে ফলিত ব্ৰাহ্মণক দান কৰিছিল যে, এইটো নিশ্চয়। এতিয়াও এইবোৰ গাৱঁত

বহুত ব্ৰাহ্মণ আছে, ইচ্ছা কৰিলে ভট্টাচাৰ্য্যে তাৰো প্ৰমাণ লব পাৰে।

ফলিখনত ২০৫জন ব্ৰাহ্মণৰ নাম আৰু ১৬৬$\frac{১১}{১৬}$ অংশ মাটিৰ উল্লেখ আছে। মাটিৰ অংশ থকা হেতুকে, আৰু এখন ফলক বাকী থকা বুলি বুজা গৈছে। মুঠ কিমান বামুণ আৰু কিমান মাটি শাসনপত্ৰত আছিল—বাকী ফলকখনি পালে হে ঠিক হব। অনুমান আৰু ১০০ জন-মান হব। ইমানবিলাক বামুণক দান কৰিবলৈ যে অন্ততঃ দুই তিনিখন গাওঁ লাগিব তাৰ কোনো সন্দেহ নাই। প্ৰতি অংশত কিমান মাটি ধৰিছিল, তাকো কব নোৱাৰি। একো ঘৰ ব্ৰাহ্মণ পোহ যাবলৈ অন্ততঃ ৩।৪ পূৰাকৈ ধৰিলেও ৮০০।৯০০ পূৰা মাটি লাগিব।

ফলিত ঋক্, সাম্, যজুঃ এই তিনিবেদী ব্ৰাহ্মণৰ নাম আছে। তাৰে ভিতৰত যজুৰ্ব্বেদীয়ে বেছি। ফলিত গোত্ৰ ৪০টা দেখা যায়, কিন্তু বেদ অনুসাৰে ভাগ কৰিলে ৫৬ গোত্ৰ ওলায়। তলত ৪০ গোত্ৰৰ নাম দিয়া গল।—

প্ৰাচেতস্, কাত্যায়ণ, ভাৰদ্বাজ, কাশ্যপ, কৌৎস, গৌৰাত্ৰেয়, কৃষ্ণাত্ৰেয়, কৌণ্ডিন্য, গৌতম, বাৎস, মৌদ্গল্য, শৌভক, পাৰাশৰ্য্য, আশ্লায়ন (আশ্বলায়ন?), বাৰাহ, বৈষ্ণবৃদ্ধি, কৌশিক, কৌটিল্য, কবেস্তৰ, মাণ্ডব্য, কশ্যপ, বাশিষ্ঠ, অগ্নিবেশ্য, সাঙ্কৃত্যায়ন, যাস্ক, জাতুকৰ্ণ, ভাৰ্গব, গাৰ্গ্য, পৌত্ৰিসাস্য, শাণ্ডিল্য, পৌৰ্ণ, সাবৰ্ণিক, শালঙ্কায়ন, আলম্বায়ন, আঙ্গিৰস, পাঙ্কল্য, বাৰ্হস্পত্য, শৌনক, শাকটায়স আৰু গৌতম কাশ্যপ।

ফলিত পোৱা ২০৫ জনৰ ১০ জনত বাজে আন সকলো ব্ৰাহ্মণ স্বামী উপাধিধাৰী। ইমানবিলাক স্বামী উপাধিৰ পৰা অনুমান হয়, তেতিয়াৰ দিনত কামৰূপ অসংখ্য পণ্ডিতৰ দেশ আৰু ভাৰতৰ ভিতৰত সংস্কৃত শিক্ষাৰ কেন্দ্ৰ আছিল। কালৰ সোঁতত কি পৰিবৰ্ত্তন ঘটিল বুজা টান। এইবিলাক বামুণ বৌদ্ধযুগত হিন্দু নৰপতিৰ আশ্ৰয় লবলৈ মিথিলা আদিৰ পৰা কামৰূপলৈ অহা বুলি অনুমান কৰিব পাৰি। কিয়নো আজিও কামৰূপৰ ব্ৰাহ্মণসকলে তেওঁ-লোকৰ পূৰ্ব্বপুৰুষ মিথিলাৰ পৰা অহা বুলি পৰিচয় দিয়ে। আৰু এক প্ৰমাণ, আজিও কামৰূপত মৈথিলস্মৃতি প্ৰচলিত আছে। ভট্টাচাৰ্য্য মহাশয়ে লিখিছে—"কামৰূপৰ সভ্যতা মিথিলাৰ ওচৰতে প্ৰধানতঃ ঋণী। কামৰূপৰ প্ৰথম পৌৰাণিক ৰজা নৰক, মিথিলাৰ অধিপতি ৰাজৰ্ষি জনকৰ গৃহত পালিত হৈ, আৰ্য্যসভ্যতাৰ 'আলোক বৰ্ত্তিকা' লৈ তেতিয়াৰ অসভ্য কিৰাত বাস কৰা কামৰূপৰ আধিপত্যত প্ৰতিষ্ঠিত হৈছিল (কাঃ পুঃ ৩৮অঃ)। চীন-পৰিব্ৰাজক হুৱেনচাঙে কামৰূপৰ আৰু ভাস্কৰ বৰ্ম্মাৰ যি বিৱৰণী লিখি গৈছে, তাতো দেখা যায় যে, কামৰূপৰাজ্য বৌদ্ধপ্ৰভাৱ পৰিমুক্ত আছিল আৰু ভাস্কৰ বৰ্ম্মাও বিদ্যোৎসাহী ৰজা আছিল। দূৰ দেশৰ পৰা প্ৰতিভাশালী বিদ্যাৰ্থীবিলাকে কামৰূপলৈ আহি বিদ্যা শিক্ষা কৰিছিল। অথচ, তেতিয়া ওচৰৰ প্ৰদেশবিলাক বৌদ্ধ মঠাদিৰে পূৰ্ণ আছিল। ভূতি বৰ্ম্মাৰ সময়তো ভাৰতৰ উত্তৰ-পূৰ্ব্বাংশত এই অৱস্থাই থাকিব পাৰে। সেই কাৰণে সম্ভৱ হয়, এই শাসনত দান পোৱা ব্ৰাহ্মণবিলাকৰ পূৰ্ব্ব-পুৰুষসকলে বৌদ্ধধৰ্ম্ম প্লাবিত মিথিলা প্ৰদেশৰ পৰা পঢ়িবলৈ আহি ইয়াতেই বিদ্যালাভৰ পাচত ভূমি দান লৈ উপনিবিষ্ট হৈছিল। পুৰুষ-পৰম্পৰাই সেই স্মৃতি জাগৰুক থকাত কামৰূপ খণ্ডৰ পৰা শ্ৰীহট্টলৈ অহা ব্ৰাহ্মণসকলেও মৈথিল বুলি পৰিচয় দিয়ে।

আজিকালি বঙ্গদেশত যিবিলাক বৈদিক ব্ৰাহ্মণ আছে, তেওঁলোকৰ অনেকৰ পূৰ্ব্বপুৰুষ হয় তো এই শাসনত উল্লিখিত ব্ৰাহ্মণগণৰ বংশীয়। কালক্ৰমে যেতিয়া বঙ্গদেশৰ পৰা বৌদ্ধপ্ৰভাৱ উঠি গল, তেতিয়া এই কামৰূপৰ পৰাই হয় তো অনেক ব্ৰাহ্মণ বঙ্গদেশলৈ গৈ বাস কৰিছিল।"

কামৰূপৰ প্ৰাচীন গৌৰৱ বৰ উজ্জ্বল। কামৰূপৰ সভ্যতা, বিদ্যাবুদ্ধিৰ ওচৰত কোন ধৰুৱা নাছিল? এতিয়া হে কামৰূপ তেল নেপাই ভেকুৰা পৰিছে। আজি এই ফলিখনে বহুত কথা উজ্জ্বলতৰকৈ তুলিছে। ইয়াৰ পৰা কামৰূপৰ ব্ৰাহ্মণ ইতিহাস লিখিবৰ বহুত সুবিধা হৈছে। আমাৰ প্ৰবন্ধ দীঘল হৈ পৰাত আমি আৰু সেই সম্বন্ধে অধিক কথা নিলিখিলোঁ।

ফলিখনত তেতিয়াৰ দিনৰ কিছুমান কৰ্ম্মচাৰীৰ উপাধি আৰু নাম পোৱা যায়। সেই উপাধিবিলাক এই,—আজ্ঞা-প্ৰাপণকাৰী বা ৰাজ-আজ্ঞা জনাওঁতা, সীমাপ্ৰদানকাৰী,

ন্যায়কৰণিক বা মাটিৰ বাদবিসংবাদ মাৰোতা, ব্যৱহাৰী বা উকিল, শাসনপ্ৰস্তুতকাৰী, লেখক, ভাণ্ডাৰগাৰাধি বা ভৰালী, উৎখেটয়িতা বা ৰাজস্ব আদায়কাৰী আৰু সেক্যকাৰ বা ফলিৰ আখৰ কাটোতা। এই ফলিৰ আখৰ কটা মানুহটোৰ নাম কালিয়া। এইটো তেনেই অসমীয়া নাম।

ভাস্কৰৰ ফলিৰ পৰা দেখা যায়, তেওঁৰ এজন ডাঙৰ ভায়েক আছিল—নাম সুপ্ৰতিষ্ঠিত বৰ্ম্মা। নালন্দাত ওলোৱা ভাস্কৰবৰ্ম্মাৰ মোহৰতো (seal) সুপ্ৰতিষ্ঠিতৰ নাম আছে। হৰ্ষবৰ্দ্ধনৰ জ্যেষ্ঠ ভ্ৰাতৃ ৰাজ্যবৰ্দ্ধনে যেনেকৈ অলপ দিন ৰাজত্ব কৰোঁতে মৰা পৰাত হৰ্ষই ৰজা হৈ কুমাৰ উপাধি ধাৰণ কৰিছিল, তেনেকৈ সুপ্ৰতিষ্ঠিত বৰ্ম্মাও অলপ দিনলৈ ৰাজত্ব কৰি কিবা কাৰণত এৰিব লগীয়া হোৱাত ভাস্কৰবৰ্ম্মায়ো নামৰ আগত কুমাৰ আখ্যা লগাইছিল।

ভাস্কৰবৰ্ম্মা হৰ্ষবৰ্দ্ধনৰ মৃত্যুৰ (৬৪৮খৃঃ) পাছতো জীয়াই থকাৰ প্ৰমাণ পোৱা যায়। হৰ্ষৰ অবৰ্ত্তমানে যেতিয়া তেওঁৰ মন্ত্ৰী অৰ্জ্জুনে (অৰুণাম্বই) হৰ্ষৰ সিংহাসন অধিকাৰ কৰে, তেতিয়া ভাৰতলৈ 'হিউয়েনচি' নামে এজন চীনৰ দূত আহে। সেই দূত অৰ্জ্জুনৰ হাতত লাঞ্ছিত হৈ তিব্বতলৈ পলায়। তাতে তেওঁ এদল প্ৰবল সেনা গোটাই অৰ্জ্জুনৰ ৰাজ্য আক্ৰমণ কৰিবলৈ আহে। এই কাৰ্য্যত ভাস্কৰে চীনবীৰক বহুত সহায় কৰে, আৰু ভাস্কৰ সেই সময়ত পূৰ্ব্বভাৰতৰ অধিকাৰী বুলি খ্যাত হয়।

কামৰূপৰ এই প্ৰবলপ্ৰতাপী ৰজা ভাস্কৰবৰ্ম্মা কেতিয়া কোন শকত স্বৰ্গগামী হয় জানিবৰ উপায় নাই। ৰত্নপালৰ ফলিত ভাস্কৰৰ পাছত দেশত ৰাজবিপ্লৱ হোৱাৰ উল্লেখ আছে। বোধ হয় সেই বিপ্লৱৰ আগতে কামৰূপ-ভাস্কৰ ভাস্কৰবৰ্ম্মা চিৰকাললৈ অস্তমিত হয়।

ওপৰত দেখুৱা হৈছে,—ভাস্কৰবৰ্ম্মাৰ তিৰোধানৰ পাচত (৭ম শতাব্দীৰ শেষ ভাগত) দেশত এটা ৰাষ্ট্ৰবিপ্লৱ ঘটে। এই ৰাষ্ট্ৰবিপ্লৱ সম্বন্ধে ৰত্নপালৰ তামৰ ফলিত এইদৰে লিখিছে,—'বংশানুক্ৰমে সমগ্ৰ পৃথিবী শাসনকাৰী নৰক-বংশীয়গণৰ ৰাজ্য দৈববশতঃ ম্লেচ্ছাধিপতি শালস্তম্ভে অধিকাৰ কৰিছিল' ইত্যাদি। এই শালস্তম্ভৰ উল্লেখ তেওঁৰ বংশীয় হৰ্জ্জৰ, বনমাল আৰু বলবৰ্ম্মাৰ ফলিত পোৱা যায়। ভট্টাচাৰ্য্যে হৰ্জ্জৰৰ ফলিখনৰ মধ্যফলক খনিহে পাইছে। তাৰো প্ৰথমৰ কেষাৰিমান আখৰ ক্ষয় গৈ পঢ়িব নোৱৰা হৈ ৰৈছে। ফলকখনিৰ পূৰা পাঠ উদ্ধাৰ কৰিব পৰা হলে, শালস্তম্ভৰ বংশই কিয় ম্লেচ্ছনাম পাইছিল বুজিব পৰা গলহেঁতেন। ফলিছটাৰ পঢ়িব পৰা কথাখিনিত আছে "অতো ম্লেচ্ছাভিধানাস্তু ভবিষ্যাস্তৱ পাৰ্থিব" হে পাৰ্থিব, আপোনাৰ ভবিষ্যৎ বংশধৰসকল ম্লেচ্ছনামত অভিহিত হব। কিন্তু সেই বংশৰে বনমাল আৰু বলবৰ্ম্মাৰ ফলিত ম্লেচ্ছাভিধান সম্পৰ্কে একো নাই। বৰং তেওঁলোকৰ ফলিত তেওঁলোকৰ পূৰ্ব্বপুৰুষ শালস্তম্ভ আদি নৰক-ভগদত্তবংশীয় বুলিয়ে গৌৰৱ কৰিছে আৰু ফলিত সংলগ্ন মোহৰতো (Seal) প্ৰাগ্‌জ্যোতিষাধিপতি বুলি সগৌৰৱে লিখা হৈছে। আমাৰ বোধ হয়, ভাস্কৰবৰ্ম্মাৰ মৃত্যুৰ পাচত 'ৰাষ্ট্ৰবিপ্লৱ' হোৱাত নৰক-বংশীয়ৰ ভিতৰতে দুটা দল হৈ, সিংহাসন লৈ (বিৰোধ ঘটি) যুদ্ধ হয়। সেই যুদ্ধত শালস্তম্ভে কোনো ম্লেচ্ছ পৰ্ব্বতীয়া ৰজা বা জাতিৰ সহায়ত আনদলক পৰাস্ত কৰে আৰু প্ৰাগ্‌জ্যোতিষপুৰ ধ্বংস কৰি ম্লেচ্ছনিষেবিত দেশত ৰাজধানী পাতে। সেই কাৰণে ৰত্নপালৰ ফলিত শালস্তম্ভক 'ম্লেচ্ছাধিপতি' নাম দিছে আৰু 'দৈববশতঃ' ৰাজ্য পোৱা বুলি লিখিছে। কিন্তু গুৰিত যে শালস্তম্ভ বা তেওঁৰ বংশ ম্লেচ্ছ নহয় এইটো বনমাল আৰু বলবৰ্ম্মাৰ ফলিয়েই প্ৰমাণ দিয়ে। পাচতো এইবোৰ কথা আন কথাৰ লগত আলচ কৰা হৈছে। সম্প্ৰতি ভট্টাচাৰ্য্যে হৰ্জ্জৰ, বনমাল আৰু বলবৰ্ম্মাৰ ফলিৰ পৰা যি বংশতালিকা উলিয়াইছে, তাক তলত দিয়া গল :—

আনুমানিক সময়	ৰজাৰ নাম	যি যি ফলিত উল্লেখ
৭ম শতাব্দী (শেষাৰ্দ্ধ)	শালস্তম্ভ	হৰ্জ্জৰ, বনমাল, বলবৰ্ম্মাৰ ফলি
	বিজয় (বিগ্ৰহস্তম্ভ, সম্ভবতঃ নামান্তৰ—ৰ, পা, ফ)	হৰ্জ্জৰ, বলবৰ্ম্মাৰ ফলি
৮ম শতাব্দী	পালক	হৰ্জ্জৰ, বলবৰ্ম্মাৰ ফলি
	কুমাৰ	হৰ্জ্জৰবৰ্ম্মাৰ ফলি
	বজ্ৰদেৱ	" "
	হৰ্ষবৰ্ম্মা (বা শ্ৰীহৰিষ)	হৰ্জ্জৰ আৰু বনমালৰ ফলি
	বল (বৰ্ম্মা ?)	হৰ্জ্জৰৰ শাসন
	চক্ৰ	" "
	অৰথি	" "
	আৰথ	বনমালৰ ফলি
৯ম শতাব্দী গুপ্ত ৫১০ = (৮২৯-৩০ খৃ)	প্ৰালম্ভ (=জীবদা বা জীবদেৱী)	হৰ্জ্জৰ, বনমালৰ
	হৰ্জ্জৰ (=মঙ্গলশ্ৰী বা শ্ৰীমত্তৰা)	" বলবৰ্ম্মাৰ
	বনমাল*	হৰ্জ্জৰ, বনমাল, বলবৰ্ম্মাৰ
	জয়মাল	" "
	(বীৰবাহু নামান্তৰ) (=অম্বা)	বলবৰ্ম্মাৰ শাসন
১০ম শতাব্দী	বলবৰ্ম্মা	" "
	শ্ৰীত্যাগসিংহ (২১তম)	নিৰ্ব্বংশ ৰত্নপালৰ ফলি

*হৰ্জ্জৰ কি বনমালৰ দিনত গৌড়ত ধৰ্ম্মপাল বুলি এজন ৰজা আছিল। গৌড় ৰাজমালাৰ ২৩ পৃষ্ঠাত শ্ৰীযুত ৰমাপ্ৰসাদ চন্দই লামা তাৰানাথৰ লেখা উদ্ধৃত কৰি দেখাইছে যে (সেই ধৰ্ম্মপালে) কামৰূপ অধিকাৰ কৰিছিল। এই কথা হৰ্জ্জৰ বা বনমালৰ কোনো ফলিয়ে সাক্ষ্য নিদিয়ে। ভট্টাচাৰ্য্যেও এই কথা যে সঁচা নহয়, তাক প্ৰমাণ কৰি দেখাইছে। তেওঁ লিখিছে,—ই যথাৰ্থ হলে ধৰ্ম্মপালৰ (তেওঁৰ ৰাজত্বৰ ৩২শ বৰ্ষত দিয়া) তামৰ ফলিত নইবা তেওঁৰ পুত্ৰ দেৱপালৰ তামৰ ফলিত 'সগৌৰৱে' উল্লিখিত হল হেঁতেন। ধৰ্ম্মপাল হৰ্জ্জৰ আৰু বনমালৰ সমসাময়িক। বনমালে ত্ৰিস্ৰোতাৰ পশ্চিমত ভূমিদান কৰি গৈছে। ইয়াত নৰকৰ সময়ত যি (অৰ্থাৎ কৰতোয়া) কামৰূপৰ পশ্চিম সীমা আছিল—বনমালৰ সময়তো আছিল; আৰু তেওঁৰ পাচতো কৰতোয়াই পশ্চিম সীমা আছিল। অতএব কামৰূপ ৰাজ্যৰ কিছু অংশৰ 'অধিকাৰ', তেতিয়াও কোনোৱে কৰা নাই, এই কথা কব পাৰি।

ৰত্নপালৰ ফলিত এই বংশৰ ২১জন ৰজা হোৱা বুলি কয়। তাৰে শেষ ৰজা শ্ৰীত্যাগসিংহ। কিন্তু ওপৰত দিয়া তালিকাত আমি ১৬ জনৰহে নাম পাওঁ। তাৰে আকৌ দুজনক (চক্ৰ আৰু অৰথিক) হৰ্জ্জৰ বৰ্ম্মাৰ ফলিয়ে ৰজা হোৱা বুলি নকয়। এই দুজনৰ ভিতৰত যিজন কনিষ্ঠ, তেওঁৰে পুত্ৰইহে ৰজা হোৱা দেখায়। অৰথি কনিষ্ঠ থকা প্ৰমাণ পোৱা যায়। বনমালৰ ফলিত আৰথ নামে এজন ৰজাৰ নাম পোৱা যায়। এই আৰথ যে অৰথিৰ পুত্ৰ তাত কোনো সন্দেহ নাই। সেই আৰথৰ পৰা ক্ৰমে নামি অহা এই বংশৰ প্ৰধান ৰজা প্ৰালম্ভ, হৰ্জ্জৰ, বনমাল, জয়মাল (বীৰবাহু) আৰু বলবৰ্ম্মা। কিন্তু বংশতালিকাত এতিয়াও ৭জন ৰজাৰ নাম বাকী। কোনোবা দিনা আন কোনো ফলি ওলাই সেই কেইটা নামো পূৰা কৰিব বুলি আশা কৰা যায়।

তেজপুৰৰ ভাটীৰ হৰ্জ্জৰবৰ্ম্মাৰ শিলালিপিত ৫১০ গুপ্ত (৮২৯—৩০ খ্ৰীঃ) দিয়া আছে। তাৰে পৰা হৰ্জ্জৰৰ পূৰ্ব্বপুৰুষসকলৰ ৰাজত্বৰ কাল অনুমান কৰি লোৱা হৈছে। শতাব্দীত চাৰিজনকৈ ৰজা ধৰি কাল গণনা কৰা হৈছে। সেই হিচাবে প্ৰালম্ভৰে পৰা জয়মালৰ দিনলৈকে নবম শতাব্দী ধৰিছে আৰু বলবৰ্ম্মাক ১০ম শতাব্দীত পেলাইছে। ভট্টাচাৰ্য্যই লিখিছে, ডাক্তৰ হৰ্ণলি চাহাবে বলবৰ্ম্মাৰ ফলিৰ আখৰ আলোচনা কৰি সেই ফলি ১০ম শতাব্দীত সম্ভবতঃ ৯.৫ খৃষ্টাব্দত পেলায়। তেওঁৰ দিনত হৰ্জ্জৰৰ শিলালিপি আবিষ্কাৰ হোৱা নাছিল। নহলেও তেওঁৰ অনুমানত কেবল আধা শতাব্দী অগা-পিছা হয়। সেইখিনি প্ৰভেদ অৱস্থা বিবেচনা কৰিলে একেবাৰে ধৰিব নলগীয়া।

শালস্তম্ভ বংশৰ হৰ্জ্জৰ, বনমাল, বলবৰ্ম্মা তিনিওজন ৰজাৰ ফলিত হাৰূপেশ্বৰ নগৰৰ পৰা শাসনদান কৰা হৈছে। এই হাৰূপেশ্বৰ নগৰ লৌহিত্যৰ (ব্ৰহ্মপুত্ৰৰ) পাৰত। ই তেজপুৰ চহৰতে বা তাৰ কাষৰ কোনো ঠাইত থকা অনুমান হয়।* বনমালৰ পিতৃ হৰ্জ্জৰ বৰ্ম্মাৰ শিলালিপিও

*We may conjecture that it (Harupeswar) was east of Gauhati and possibly, at Tezpur. —Gait's History—page 33.

বর্ত্তমান তেজপুরব ওচবত। তেজপুবত এতিয়াও সুন্দব কাৰুকার্য্যব খুটা, চটীয়া শিল পৰি আছে। অনেকবোব তেনে শিল, চতি বর্ত্তমান কাছাৰি আৰু আফিচ ঘবব তলত পোত গৈ থকা বুলি শুনা যায়। ইয়াত এখন সুন্দব দালান-পকিবে শোভিত নগব আছিল তাক সহজে অনুমান কবিব পাৰি। ইয়াতে বাণ বজাব শোণিতপুব থকা প্ৰমাণ পুৰাণ আদিয়ে দিয়ে। ভট্টাৰ্য্যে লিখিছে,—'বনমালব শাসনব বাজধানীব বর্ণনাত "শ্রীকামেশ্বব মহাগোবী ভট্টাৰিকাভ্যামধিষ্ঠিত শিবলঃ কামকূটগিবেঃ" লৌহিত্য তীবত বাজধানীব অবস্থান উল্লেখ দেখা যায়, এই কাম-কূটগিবি খুব সম্ভব তেজপুবব ওচবব দেৱতামন্দিব সমন্বিত অলপ ওখ পাহাড়ব প্ৰাচীন নাম হব।' আমি ভট্টাৰ্য্যব অনুমান মানিব নোৱাৰোঁ। কামকূটগিবি কামাখ্যাব নীলাচল পর্ব্বতক বুজায়। ইয়াব শিবত কামেশ্বব আৰু মহাগৌবী বা কামাখ্যাব মন্দিব। ইয়াব নিতম্ব বা কায লৌহিত্য নদব জলবে প্ৰক্ষালিত বুলি ফলিত স্পষ্টকৈ লিখিছে। গতিকে, ওপবব শ্লোকাংশব কথাখিনি থকা শব্দাৱলীয়ে লৌহিত্য বা ব্ৰহ্মপুত্ৰব বিশেষণ বুজাইছে। তেনে পৱিত্ৰকাবি ব্ৰহ্মপুত্ৰব পাবতে হাকপেশ্বব নগব থকা বুলি ফলিব পাঠে দেখায়। ওপবব শ্লোকাংশত ভট্টাৰিকা শব্দব পবা তেজপুবব ওচবব ভৈববী দেবীকে মহাগৌবী আৰু বামনি পাহাড়তে কামেশ্বব মন্দিব থকা বুলি যদি কোনো জনে কয়, তথাপি সেই দুখন পাহাড়ক কামকূট বোলা পুৰাণ বা তন্ত্ৰত প্ৰমাণ পোৱা নেযায় আৰু শালস্তম্ভ বংশব বজাকেজনব ফলিতো সেই পর্ব্বত দুখনক নতুনকৈ কামকূট নাম দিয়াব নিদর্শন নেদেখোঁ। আমি এইমাত্ৰ কব পাৰোঁ, হাকপেশ্বব নগব সম্ভবতঃ ভৈববী দেৱালয়বে পবা পশ্চিমে পর্ব্বতীয়া হিন্দুলেশ্ববলৈকে বিস্তৃত আছিল।

ভট্টাৰ্য্যে তেখেতব পুথিব ভূমিকাব ২২ পিঠিব পাদটীকাত লিখিছে—'হাকপেশ্বব হয়তো কোনো দেৱতাব নাম আছিল—সম্ভবতঃ কোনো শিবলিঙ্গ 'হাকপ্ল' নামক এই বংশীয় কোনো পূর্ব্ববর্ত্তী বজাব স্থাপিত আছিল। 'হাকপ্ল' নামটোও ম্লেচ্ছদ্যোতক। ই সংস্কৃত সাকপ্য শব্দব প্ৰাকৃত অপভ্রংশও হব পাবে।' উত্তবত আমি কওঁ, ফলিত শালস্তম্ভ প্ৰথম বজা হোতা দেখা যায়,—তেওঁব ঊৰ্দ্ধত বা পূর্ব্ববর্ত্তী সেই বংশীয় বজা কোনো নাছিল। গতিকে, পূর্ব্ববর্ত্তী কোনো বজাব শিবলিঙ্গ স্থাপন, ভট্টাৰ্য্যব এই কথাযাবো বিশ্বাস কবিব নোৱাৰি। আমাব বোধেবে হাকপ্য বা সাকপ্য কোনো ম্লেচ্ছ পর্ব্বতীয়া মানুহব নাম আছিল। তাব সহায়ত শালস্তম্ভে প্ৰাগজ্যোতিষপুব জয় কবি বহা হোৱাত. তাব নামে হাকপেশ্বব নগব পাছি তাব প্ৰতি কৃতজ্ঞতা প্ৰকাশ কবিছিল আৰু তাক পর্ব্বতীয়া বোলা ঠাইখনত পাতিছিল। হাকপেশ্ববব দবে নাম সাদৃশ্য থকা 'হলেশ্বব' নামে মৌজা এখনো তেজপুবা ওচবত আছে। তাত বোধকবো কোনো শিবলিঙ্গ নাই।

ভট্টাৰ্য্যে আকৌ লিখিছে,—শালস্তম্ভে যোৱহ, 'স্বকীয় ম্লেচ্ছতাপবাদ নিবন্ধন' প্ৰাগজ্যোতিষপুবলৈ অহা বাস কবিবলৈ সাহসী হোৱা নাছিল ; সেই কাবণে, বোধহয়, তেওঁ যি অঞ্চলত অধিপতি হৈছিল, সেই অঞ্চলত হাকপেশ্বববলৈ কামকূপ বা প্ৰাগজ্যোতিষ বাজাব বাজধানী 'স্থানান্তবিত' কবিছিল। আমি আগতে শালস্তম্ভ প্ৰাগজ্যোতিষপুবত বাজধানী নপতাব কাবণ দেখাইছো। গতিকে, সেইবোব পুনৰুক্তিব আৱশ্যক নকবো। এবাব প্ৰবল পৰাক্ৰমী বজাই নৰকবংশব সকলোকে দমন কামৰূপব একচ্ছত্ৰিপতি হব কবি প্ৰাগজ্যোতিষপুবলৈ আহিবলৈ সাহসী নহৈছিল, এইটো কথা অসম্ভব। শালস্তম্ভ প্ৰবল প্ৰতাপব ওপত ঊৰ্দ্ধত বর্ম্মাব ফলিত 'বাজশার্দ্দূল' বুলি আখ্যাত হৈছে. তেওঁ, ভাস্কববর্ম্মাব পাচব পাছি বজা হৈ প্ৰাগজ্যোতিষেশ্বব বুলি খ্যাত। নৰকবংশী জাতিবর্গে তেওঁব অধীনতা স্বীকাব কবিছিল। তেওঁ হাততে প্ৰাচীন প্ৰাগজ্যোতিষপুব ধ্বংস হৈছিল। তেওঁ বিখ্যাত 'শালস্তম্ভ' নামব পবাই বংশব নতুন নামকবণ হৈছিল। তেওঁ ৭ম শতাব্দীব শেষভাগত বাজত্ব কবি গৈছে।

শালস্তম্ভব পুত্ৰ বিজয়। তেৱোঁ মহাবলী, ক্ষমতাশালী পুৰুষ আছিল (হ, ফ)। তেওঁ যুদ্ধত অবিচলিত ভাৱে দবে থাকে দেখি, তেওঁ বিগ্ৰহস্তম্ভ (ব, পা, ফ), বণস্তম্ভ (বল, ফ) সংগ্ৰামস্তম্ভ (ইঃ পা, ফ) ইত্যাদি নাম পাইছিল।

বিজয় বা বিজয়স্তম্ভব মৃত্যুব পাচত পালক, কুমাব, বজ্ৰদেব ক্ৰমাগতে বজা হৈ স্বর্গী হয় (হ, ফ)। এওঁলোক কাব পুত্ৰ ফলিত নিশ্চয়কৈ দিয়া নাই।

এওঁলোকব পাচত যি যি বজা হৈছিল, তাব ভিতবত হর্ষবর্ম্মাই প্ৰধান। এওঁবো পিতৃ-মাতৃব নাম জানিব পবা নাই। তেওঁ অশেষ গুণশালী আৰু ধার্ম্মিকসকলব ভিতবত শ্ৰেষ্ঠ আছিল। তেওঁ পুত্ৰনির্ব্বিশেষে প্ৰজা পালন কবিছিল (হ, ফ)। হর্ষবর্ম্মাই দিখিজয় কবি গৌড়, ওড্ৰ, কলিঙ্গ, কোশল আদিবো অধিপতি বুলি খ্যাতিলাভ কবিছিল। এই প্ৰবল-প্ৰতাপী প্ৰাগ্-জ্যোতিষেশ্বব কীর্ত্তি-প্ৰসাবিণী প্ৰশস্তি আজিও নেপালব গণ্ডপতি মন্দিবব পশ্চিম দ্বাৱবব সমুখত উজ্জ্বল হৈ আছে। সেই কলিঙ্গ ১৫৩ * হর্ষাব্দ (৭২৯ খৃঃ) তে নেপালত ঠাকুবী বংশী জয়দেবে লিখোৱা। সেই জয়দেবে আমাব হর্ষবর্ম্মাব কন্যা বাজ্যমতীক বিয়া কবাইছিল। ডাক্তব ভগবান্ লাল ইন্দ্ৰজীয়ে নেপালব পবা বিবিলাক শিলালিপি গোটাইছিল তাবে পঞ্চদশ লিপিত লিখা আছে :—

"মাঙ্গল্যস্তিমনুহ্নগুমুখ ঋদ্ধাবিভূতভিবো গৌড়োড্ৰাদি কলিঙ্গ কোশলপতি শ্রীহর্ষদেবাত্মজা। দেবী বাজ্যমতী কুলোচিত ওগৈর্গুক্তা প্ৰভুতা কুলৈবৈগোঢ়া ভগদত্তবাজকুলজা লক্ষ্মীবিবাঙ্গভূষা।"

যাব মত্ত হাতীবিলাকব মুখৰব সদৃশ দাঁতেবে শত্রু-নবপতিসকলব শিব চূর্ণাক্কত হৈছিল সেই গৌড়-ওড্ৰ-কলিঙ্গ-কোশলপতি শ্রীহর্ষদেৱব কন্যা—(যি ভগদত্ত বাজ-কুলজা—শ্রেষ্ঠকুলত জাতা আৰু কুলোচিত গুণবিশিষ্টা আৰু লক্ষীসদৃশা', সেই দেবী বাজ্যমতীক তেওঁ (জয়দেবে) বিবাহ কবাইছিল।

ভট্টাৰ্য্যে মহাশয়ে শ্রীহর্ষবর্ম্মাই গৌড়, ওড্ৰ, কলিঙ্গ, কোশল আদি অধিকাব কবা কথাবিনি অত্যুক্তি বুলি ধবিব খোজে কিন্তু আনএকাবে ইয়াক স্বীকাব নকবাকৈও থাকিব পবা নাই। তেওঁ লিখিছে,—এইটো সম্ভব হবও পাবে, যেতিয়া ৮ম শতাব্দীত গৌড় প্ৰভৃতি বাজ্যত অবাজকতা হৈছিল—এনে সময়তে কামৰূপবাজে দিখিজয় কবিবলৈ গৈ সেইবোব বাজ্য অধিকাব কবিছিল। এই সম্বন্ধে ভট্টাৰ্য্যে মহাশয়ে গৌড়-লেখমালাব ধর্ম্মপালব তাম্রশাসনতো গৌড়বাজ্যত মাৎস্যন্যায় অর্থাৎ দুর্ব্বলব ওপবত বলীব বলব কথা উল্লেখ আছে বুলি কয়। আমিও কওঁ—শ্রীহর্ষবর্ম্মা এজন সামান্য বজা বুলি মনে নধবে। তেওঁ সামান্য হোৱা হলে প্ৰবলপ্ৰতাপান্বিত নেপাল বাজে তেওঁব কন্যা বিয়া কবাই কেতিয়াও মিত্ৰতা নেপাতিলে-হেঁতেন। শ্রীহর্ষবর্ম্মাই যে ওপবত উল্লেখ কবা দেশবোবত কিছুদিন আধিপত্য কবিছিল এইটো নিশ্চয়। •

হর্ষবর্ম্মাব পাচত তেওঁব পুত্ৰ বল,—(বর্ম্মা নে দেব) বজা হয়। তেওঁব পাচত হৰ্জ্জববর্ম্মাব ফলিত চক্ৰ আৰু অবধি নামে দুজন বাজকুমাবব নাম দেখা যায়। তেওঁ-লোকে গুৰুবাক্য (বোধহয় পিতৃবাক্য) লঙ্ঘন কবাত পিতৃসিংহাসনব অধিকাবী হব নোৱাৰিলে। তাব পাচে অবধিব পুত্ৰ আৱণ বজা হয়। এই আৱণক ভট্টাৰ্য্যে প্ৰালম্ভব পিতৃ বুলি তালিকাত দেখাইছে। কিন্তু বনমালব ফলিব পবা ভাষেক বুলিহে দেখা যায় †। শালস্তম্ভব মহিষীব

---

* এইটো হর্ষবর্দ্ধনব অব্দ।

• গৌড় অধিকাব সম্বন্ধে শ্রীযুত কৈলাসচন্দ্ৰ সিংহ বিদ্যাভূষণে বঙ্গীয় সাহিত্য পবিষদ্ পত্ৰিকা—উনবিংশ ভাগ ১ম সংখ্যাত লিখিছে :—

কবিচূড়ামণি বিদ্যাপতি খীয় আশ্রয়দাতা মিথিলাপতি বাজা শিব-সিংহকে পঞ্চ গৌড়েশ্বব—সাবম্ভ, কাঙ্কুজ, গৌড়, মিথিলা এবং উৎকলেব (সমগ্ৰ উত্তবাপথেব) সম্রাট বলিয়া বর্ণনা কবিয়াছেন। বোধহয়, নেপালেব উন্নিখিত শিলালিপিতে কামৰূপপতি শ্রীহর্ষবর্ম্মাকে তদ্রূপ পূর্ব্বভাবতেব—গৌড়, ওড্ৰ, কলিঙ্গ ও দক্ষিণ কোশলপতি সম্রাট বলিয়া বর্ণনা কবা হইয়াছে। প্ৰকৃতপক্ষে কামৰূপ ও উত্তববঙ্গ ব্যতীত অন্য কোন বাজ্য উহাব অধিকাবে ছিল বলিয়া বোধ হয় না।

আকৌ লিখিছে—সম্রাট হর্ষবর্দ্ধনব সাহায্যে কামৰূপপতি ভাস্কববর্ম্মা (বা ভাস্কবদ্যুতি) উত্তব বাঙ্গালা অধিকাব কবেন। ওপবলি হীবকাল গৌড়বাসী কামৰূপেব অধীন ছিল। এজন ভগদত্তবংশীয় হর্ষ-(পালবর্ম্মা) নেবাকে নেপালব শিলালিপিতে গৌড়দেশব আখ্যায় আখ্যাত কবা হইয়াছে।

† সেইট চাহাবে তেখেতব মুদ্ৰাঙ্কিত প্ৰালম্ভে পূর্ব্বব শাসনকর্ত্তা বিলাকব পো-নাতিক মাবিছে বা দেশাস্তবীকৈ খেদিছিল বুলি লিখিছে। (বুজী ৩২ পিঠি)।

নাম জীবদা বা জীবদেবী। সেই জীবদেবীৰ গৰ্ভত প্ৰসিদ্ধ হৰ্জ্জৰবৰ্ম্মা জন্মগ্ৰহণ কৰে।

হৰ্জ্জৰ, বলী, ধৰ্ম্মিষ্ঠ, নীতিমান, লক্ষ্মীমন্ত পুৰুষ আছিল। তেওঁ সামন্তৰাজবিলাকেৰে অৰ্চ্চিত হৈছিল। বনমালৰ ফলিত হৰ্জ্জৰৰ যেনে ৰকম গুণ বৰ্ণাইছে, সি অতুলনীয়। তেওঁ দিবাকৰৰ দৰে উজ্জ্বল, অকলঙ্ক চন্দ্ৰৰ দৰে আৰু অসংখ্য গুণযুক্ত আছিল। তেওঁ সুদীৰ্ঘকাল ৰাজ্য ভোগ কৰে। তেওঁৰ ৰাজ্য সাগৰ তীৰ পৰ্য্যন্ত বিস্তৃত আছিল বুলি ফলিত বৰ্ণিত আছে। গেইটে ইয়াক ব্ৰাহ্মণসকলৰ অতিৰঞ্জিত বুলি কয়। অথচ তেওঁ বঙ্গৰ দেবপালৰ তামৰ ফলিত উক্ত দেবপালে (যি অলপ দিনৰ পাচতে ৰজা হৈছিল) কামৰূপৰ ৰজাক উড়িষ্যা আক্ৰমণত সহায় কৰা কথাও উল্লেখ নকৰাকৈ থকা নাই। সেই ফলিয়েই হৰ্জ্জৰৰ ৰাজ্য সাগৰ পৰ্য্যন্ত বিস্তৃত থকাৰ প্ৰমাণ দিয়ে, কিয়নো দেবপালৰ ৰাজত্বৰ আৰম্ভ হৰ্জ্জৰৰ দিনতে হোৱা দেখা যায়।

হৰ্জ্জৰৰ মহিষীৰ নাম শ্ৰীমত্তৰা বা মঙ্গলশ্ৰী। গেইটে তাৰা বুলি লিখিছে। হৰ্জ্জৰো তেওঁৰ পিতৃৰ দৰে বৰ শিৱভক্ত আছিল।

হৰ্জ্জৰৰ পুত্ৰৰ নাম বনমাল। সমুদ্ৰতীৰৰ বনমালাৰ সীমা পৰ্য্যন্ত তেখেত পৃথিবী-পতিত্বৰ যোগ্য বুলি, তেওঁৰ নাম বনমাল বিহিত হৈছিল (বন, ফ)। তেওঁৰ বুকু বিশাল, ককাল সৰু, বাহু পৰিঘৰ দৰে, স্কন্ধ দৃঢ় আছিল। ক্ৰোধ বা হাস্যত তেওঁৰ মুখৰ বিকৃতি নহৈছিল। নীহ মানুহৰ ৰটনালৈ তেওঁ কাণ নকৰিছিল।

বনমাল মহাদেৱত বৰ ভক্তিমান্ আছিল। তেওঁ কোনো হাটকেশ্বৰ মহাদেৱৰ মন্দিৰ কালক্ৰমে ভাগি যোৱাত পুনৰ নিৰ্ম্মাণ কৰাইছিল (বন, ফ)। এই হাটকেশ্বৰেই শ্ৰীহট্টৰ হাটকেশ্বৰ হব পায়। হাটকেশ্বৰৰ পৰা শ্ৰীহট্ট হোৱা অসম্ভৱ নহয়।

বনমালৰ ফলিত, তেওঁ নানাবিধ উদ্যান, সৰোবৰ আদি খনোৱা উল্লেখ আছে। বলবৰ্ম্মাৰ ফলিতো বনমালে অনেক সুন্দৰ প্ৰাসাদ (অট্টালিকা) সজাৰ কথা পোৱা যায়। সেই ঘৰবোৰৰ সুন্দৰ সুন্দৰ কুঠৰী আছিল আৰু সেই কোঠাবোৰ নানা চিত্ৰেৰে সজ্জিত হৈছিল।

বনমালেও সুদীৰ্ঘকাল ৰাজত্ব কৰা বুলি ফলিত লিখা আছে।

বনমালৰ পুত্ৰ জয়মালো এজন যশস্যাশালী পুৰুষ আছিল। জয়মালে যৌবনত ভৰি দি শিক্ষা-দীক্ষাত পৈণত হৈ উঠাত বনমালে তেওঁৰ ৰাজছত্ৰ জয়মালক সপি দি, অনশন ব্ৰত ধৰি জীৱনলীলা সামৰে (বন, ফ)। এই কথাকে ফলিত বনমালে মহাদেৱত লীন হোৱা বুলি লিখিছে।

ৰাজপাট লোৱাৰ পাচত জয়মালে শ্ৰীবীৰবাহু * নাম লৈ বংশে ৰূপে গুণে সকলোপিনে ধন্যা আৰু শ্ৰেষ্ঠা অম্বা নামে মহিলাৰ পাণিগ্ৰহণ কৰে।

কালত বীৰবাহুৰ ঔৰসে অম্বাৰ গৰ্ভত বলবৰ্ম্মা জন্মগ্ৰহণ কৰে। তেওঁৰ চকু বতাহত লৰা নীলপদ্মৰ পাহিৰ দৰে, গলধন পুষ্ট, গঠন সুন্দৰ, কান্তি নতুন উঠি অহা অৰুণৰ কিৰণত ফুটা পদুমৰ দৰে ইঃ (বল, ফ)। বীৰবাহু (যিজন ৰণত স্তম্ভৰ দৰে অবিচলিত) কৰ্ম্মৰ দুৰ্ব্বিপাকত অনেক দিন ৰাজত্ব কৰাৰ পাচত বিষম ব্যাধিদ্বাৰা আক্ৰান্ত হয়। তেতিয়া তেওঁ সংসাৰ অসাৰ আৰু মানৱ-জীৱন জলবিন্দুৰ দৰে চঞ্চল বিবেচনা কৰি শেষ কৰ্ত্তব্য চিন্তা কৰিব ধৰিলে আৰু শুভ দিন-বাৰ চাই পুত্ৰক সিংহাসনত বহুৱালে (বল-ফ)। পুত্ৰক ৰাজ্য দিয়াৰ পাচত কিমান দিনত তেখেত স্বৰ্গী হল জানিবৰ উপায় নাই।

বলবৰ্ম্মাও সিংহৰ পোৱালীৰ দৰে বলী, শকত আৰত ৰজা আছিল। তেওঁ পৰাক্ৰমেৰে সমস্ত ৰিপু জয় কৰি ৰাজ্য বিস্তাৰ কৰিছিল। তেওঁৰ পিতৃপিতামহসকলে বাস কৰি যোৱা ৰাজধানী হাৰূপেশ্বৰতে তেওঁ বাস কৰিছিল। তেওঁৰ উন্মুক্ত খড়্গেৰে বলবৰ্ম্মাই সমস্ত দিশ

* গৌড়ৰ নাৰায়ণ পালৰ তাম্ৰশাসনত শালস্তম্ভৰ বংশৰ এজন ৰজাৰ কথা আছে। ফলিত ৰজাৰ নাম দিয়া নাই। ভট্টাচাৰ্য্যে সেই ফলিৰ পৰা দেখাইছে—গৌড়ৰ ৰজা দেবপালৰ ৰাজত্বৰ সময়ত তেওঁৰ ভায়েক সৈন্যাধ্যক্ষ জয়পালৰ দিগ্বিজয় কালত কামৰূপৰ ৰজা বন্ধুবান্ধৱ পৰিবৃত্ত হৈ সুখে শান্তিৰে বাস কৰি আছিল (অৰ্থাৎ জয়পালে কামৰূপৰ ৰজাক একো কৰিব পৰা নাছিল)। তেতিয়া সম্ভৱতঃ প্ৰাগ্‌জ্যোতিষৰ ৰজা জয়মাল (বীৰবাহু) আছিল।

জয় কৰিছিল। তেওঁ ৰণত স্থিৰ, কলঙ্কত ভীৰু, শত্ৰুত উগ্ৰ, গুৰুজনত মৃদু, সত্যবাদী, বিসংবাদত বিমুখ, কাৰ্য্য কৰি শলাগ নিবিচৰা, দানশীল, পিতৃমাতৃভক্ত আৰু নিষ্পাপ-শৰীৰ আছিল (বল-ফ)। বলবৰ্ম্মাৰ ৰাজত্ব দশম শতাব্দীৰ মধ্যমানত শেষ হোৱা অনুমান কৰিব পাৰি।

বলবৰ্ম্মাৰ পাচত কোন ৰজাই ৰাজত্ব কৰিছিল, জনা নেযায়। সেইসকলে যদি উপৰি পুৰুষ সকলৰ দৰে ব্ৰাহ্মণক মাটি-বাৰী দিছিল, তেনেহলে সেই সকলৰো কোনো দিন ফলি ওলোৱা সম্ভৱ। ৰত্নপালৰ ফলিত এই বংশৰ শেষ ৰজা শ্ৰীত্যাগসিংহৰ নাম পোৱা যায়। তেওঁ এই বংশৰ কুৰি পুৰুষৰ তলত একবিংশতম্ পুৰুষ। তেওঁতে শালস্তম্ভৰ বংশ শেষ হৈ নিৰ্ব্বংশ হোৱাত পুনৰ বিশুদ্ধ নৰক-ভগদত্তবংশীয় ব্ৰহ্মপাল দেববৰ্ম্মণ প্ৰজাবিলাকৰ দ্বাৰা প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ ৰজা নিৰ্ব্বাচিত হয়। ব্ৰহ্মপালৰ পৰা আকৌ প্ৰাগ্‌জ্যোতিষ বুৰঞ্জীৰ নতুন যুগৰ সূচনা হয়।

ফলিৰ পৰিচয়

হৰ্জ্জৰ বৰ্ম্মাৰ ফলি।—এই ফলিখনৰ এটা ফলক বা ছটাহে ভট্টাচাৰ্য্যাই পাইছে। তেখেতে লিখিছে—"হৰ্জ্জৰৰ পূৰা ফলিখন হায়ংথলত * এটা মিকিৰে এডোখৰ ঠাই চিকোণাওঁতে পুৰণি ইটাৰ গাঁথনিৰ মাজত পায়। সেই ফলিখনৰ তিনিছটা আছিল। তিনিও ছটা শিকলিৰে বন্ধা আছিল। মিকিৰে শিকলি খহাই নে কাটি, এছটা এটা বঙ্গালী নে হিন্দুস্থানী কুলীক দিলে, এছটা এটা লঙ্কাৰ কচাৰীক দিলে আৰু বাকী ছটা সি ৰাখিলে। লঙ্কাৰ ছটাই হাত বাগৰি গৈ শিলচৰ পালেগৈ। তাতে ১৩৩২ চনত সেই ফলি ছটা ভট্টাচাৰ্য্যৰ হাতত পৰে। ভট্টাচাৰ্য্যে ইয়াৰ আন দুছটাৰ খবৰ পাই বিচৰালে, কিন্তু নেপালে।" তেখেতে পুথিত যি ছটাৰ নক্সা দিছে, সেই ছটা মাজৰ, সেই কাৰণে তেওঁ ইয়াক মধ্যফলক বুলিছে আৰু ফলিৰ নাম হায়ংথল লিপি দিছে। তেখেতে এই ফলকখনিৰে আমাৰ যিমান উপকাৰ কৰিলে, তাৰ বাবে তেখেতে শলাগ পাবলগীয়া। আমি অসমত থাকি ইয়াৰ ভুকে নেপাওঁ ই বৰ লাজৰ বিষয়! আমাৰ শিক্ষিত ডেকাসকলে আন দুছটা ফলি বিচাৰিবৰ নিমিত্তে যত্ন কৰা উচিত; তাৰ দ্বাৰা আমাৰ এটা প্ৰাচীন সম্পদ বাঢ়িব। নচেৎ ফলি দুছটা কাৰ হাতত পৰি কোন্ দেশ পায় গৈ ঠিক নাই।

ভট্টাচাৰ্য্যে পোৱা ফলিছটাৰ আগৰ আৰু পাচৰ ফলি দুছটা নোহোৱাত ফলিখন কাক দিছিল, কি দিছিল একো বুজা নাযায়। ইয়াৰ আখৰবোৰ জটিল আৰু অস্পষ্ট। তেজপুৰৰ ভাটীৰ শক থকা হৰ্জ্জৰৰ শিলালিপিখন নেথাকিলে ইয়াক পণ্ডিতসকলে কোন যুগত পেলালেহেতেন ঠিক নাই। তেজপুৰৰ শিলালিপিৰ আখৰবোৰ যেনে, ইয়াৰ আখৰবোৰো প্ৰায় তেনে। বোধহয় একেজন তক্ষকাৰৰে লিখা। ভট্টাচাৰ্য্যে ইয়াৰ বৰ্ণবিন্যাসত বহুত ভুল আৰু তেজপুৰৰ শিলালিপিৰ দৰে ইয়াত প্ৰাকৃত শব্দৰ সমাবেশ বেছি বুলি উল্লেখ কৰিছে। এই ফলি ছটাত যি কেইজন নতুন ৰজা আৰু ৰাজকুমাৰৰ নাম পোৱা গৈছে, তাক বংশ তালিকাত দেখুৱা হৈছে। কামৰূপৰ আন শাসনত উল্লেখ নথকা কেইজনমান ৰাজকৰ্ম্মচাৰীৰ পদবীও ইয়াত দেখা যায়। সেইবোৰ এই—মহাসৈন্যপতি, মহাদ্বাৰাধিপতা, মহাপ্ৰতিহাৰ, মহামাত্য আৰু ব্ৰাহ্মণাধিকাৰ। আন ফলিত ৰজাই শাসনদান কৰা দেখা যায়, কিন্তু এই ফলিত শাসন আদেশ কৰোঁতা হৰ্জ্জৰৰ পুত্ৰ যুৱৰাজ শ্ৰীবনমাল (দেব)। আন শাসনবিলাকত ৰজা আৰু ৰাণীসকলৰ নাম যেনেকৈ লিখা আছে, ইয়াত অলপ লৰ। বনমালৰ শাসনত হৰ্জ্জৰৰ পিতৃমাতৃৰ নাম প্ৰালম্ভ আৰু জীবদা দিয়া আছে। ইয়াত কেৱল মাকৰ নামহে—তাকে জীবদাৰ ঠাইত জীবদেবী কৰা হৈছে। বনমালৰ ফলিত হৰ্জ্জৰৰ ৰাণীৰ (বনমালৰ মাকৰ) নাম শ্ৰীমত্তৰা, কিন্তু এই ফলি খণ্ডত মঙ্গলশ্ৰী লিখা হৈছে।

ফলিছটা দীঘে ৮ আৰু পুতলে পাঁচ ইঞ্চি।

বনমালৰ ফলি।—এইখনে অসমৰ ভিতৰত প্ৰথমে ওলোৱা ফলি। এই ফলিখন প্ৰায় এক শতাব্দী আগে তেজপুৰ ছহৰৰ ওচৰত পোৱা যায়। এই ফলিৰ তিনি

* নগাওঁৰ যমুনামুখৰপৰা প্ৰায় ৫ মাইলমান উত্তৰে মিকিৰ পৰ্ব্বতৰ কাষৰ এডোখৰ ঠাই। ইয়াত বহুপূৰ্ব্বে কচাৰীৰ ৰাজধানী থকা বুলি শুনা যায়।

ছটা। তিনিও ছটা আঙঠিৰে এটা মোহৰত (seal) গঁথা আছিল। মোহৰটোত গণেশৰ দৰে মূৰ্ত্তি কটা সেইটো যে গণেশ নহয় হাতীৰ মূৰৰ নক্সা এইটা ধুৰুপ। এই ফলিখন জেনেৰেল জেন্‌কিঞ্চ চাহাবে এচিয়াটিক ছোছাইটীলৈ পঠায়। ছোছাইটীয়ে কোনো কমলাকান্ত নামে পণ্ডিত এজনৰ হতুৱাই পাঠ উদ্ধাৰ কৰাই ইংৰাজী অনুবাদে সৈতে ১৮৪০ খৃষ্টাব্দত ছোছাইটীৰ পত্ৰিকাত প্ৰকাশ কৰে। ছোছাইটীৰ পাঠত বহুত ভুল ধৰিব পাৰি, ভট্টাচাৰ্য্যে এই ফলিৰ নিমিত্তে বিচাৰ কৰে, কিন্তু ফলিখন কাৰ হাতলৈ গৈ ক'ত আছেগৈ জানিব নোৱাৰিলে। তেওঁ ছোছাইটীৰ ফলিৰ কপিতে পাঠ বিচাৰ কৰি ১৩২১ চনৰ ৰঙ্গপুৰ সাহিত্য পৰিষদত ফলিৰ সমালোচনাৰে এটা প্ৰবন্ধ লিখে। সেই প্ৰবন্ধকে শুধৰাই এতিয়া তেওঁৰ পুথিত ঠাই দিছে। ছোছাইটীৰ পত্ৰিকাত মোহৰটোৰ যি ছবি দিয়া আছিল, তাকে তেখেতে শাসনাবলীত তুলিছে। ছোছাইটীৰ পাঠত হাৰুপেশ্বৰৰ ঠাইত 'হৰশেয়ন' হৈছিল। 'হৰশেয়ন' যে ভুল তাক ভট্টাচাৰ্য্যে দেখাইছে। এই ফলিৰে বনমালে যজুৰ্ব্বেদীয় শাণ্ডিল্য গোত্ৰৰ হিন্দোল নামে এজন ব্ৰাহ্মণক এখন গাওঁ দান কৰিছিল। সেই ব্ৰাহ্মণৰ পিতৃৰ নাম ভিজ্জট্ আৰু মাকৰ নাম সভ্ৰায়িকা।

মাটি দান কৰা গাওঁখন ত্ৰিস্ৰোতাৰ (তিস্তাৰ) পশ্চিমে জল-স্থল লৈ আঠসীমা কৰা হৈছিল। এই ঠাইখন 'অভিশূৰ বাটক' নামে খ্যাত হৈছিল।

এই মাটিৰ সীমাত চন্দ্ৰপৰি (সহসীমা) বুলি এটা নাম আছে। সেইটো গাৱঁৰ নাম বুলি অনুমান হয়। এই চন্দ্ৰপৰি শব্দটো পাই ভট্টাচাৰ্য্যে ভাস্কৰ বৰ্ম্মাৰ ফলিত উল্লেখ থকা 'চন্দ্ৰপুৰি' বিষয়কো ভাটীলৈ টানি নিব খোজে। চন্দ্ৰপুৰি যে 'বিষয়' বা পৰগণাহে গাওঁ নহয়, তাক আমি পূৰ্ব্বতে ওপৰত দেখাই আহিছোঁ। ভট্টাচাৰ্য্যে বিচাৰ নকৰি 'চন্দ্ৰপৰিক' 'চন্দ্ৰপুৰি' কৰি ছপোৱাটো ভাল হোৱা নাই।

ফলিখন বৰ পাণ্ডিত্যপূৰ্ণ বুলি ভট্টাচাৰ্য্যে উল্লেখ কৰিছে। ইয়াৰ শ্লোকবিলাকৰ ছন্দত, অলঙ্কাৰত ৰচনা-কৌশল আৰু মধুৰতা আছে। ইয়াৰ গদ্য অংশ ফলিৰচক কবিয়ে নৌকাশ্ৰেণীৰে শোভা কৰা লৌহিত্যতীৰৰ ৰাজধানীৰ যেনেকুৱা বৰ্ণনা দিছে, তাক মহাকবি বাণভট্টৰ লেখনীৰহে উপযুক্ত বুলি ভট্টাচাৰ্য্যে শলাগিছে।

বলবৰ্ম্মাৰ ফলি।—এই ফলিখন নগাৱঁত ওলায়। ই প্ৰথমতে স্বৰ্গীয় মহামহোপাধ্যায় ধীৰেশ্বৰ কবিৰত্ন মহাশয়ৰ হাতলৈ আহে। তেখেতে ইয়াৰ পাঠ উদ্ধাৰ কৰি তাৰ ব্যাখ্যা গুৱাহাটীৰ পৰা প্ৰকাশিত 'আসাম' নামে সাদিনীয়া কাকতত প্ৰকাশ কৰে, তাৰ পাচত ইয়াৰ বুৰঞ্জী আৰু সাৰাংশ গুৱাহাটীৰ বঙ্গানুশীলনী সভাত বঙ্গলাভাষাত পাঠ কৰে। কবিৰত্নৰ পৰা এই ফলি মহামতি গেইট চাহাবে আনি ১৮৯৫ খৃষ্টাব্দত এচিয়াটিক চোচাইটীলৈ পঠায়। ১৮৯৭ খৃষ্টাব্দত ডাঃ হৰ্ণলি চাহাবে ইয়াৰ পাঠ উদ্ধাৰ কৰি তেখেতৰ সমালোচনাৰে চোচাইটীৰ জৰ্ণেলত প্ৰকাশ কৰে। ফলিখনৰ তিনি ছটা। প্ৰতি ছটা দীঘে ১২ ইঞ্চি আৰু পুতলে ৭ ইঞ্চি। এই ফলিৰ ভুল-ভ্ৰান্তি কম আৰু লেখাও স্পষ্ট। শাসন-ৰচোতাৰ কবিত্ব শক্তিও সুন্দৰ। ইয়াৰ বহু ঠাইত কালিদাসৰ ৰঘুবংশৰ ভাব আৰু ভাষাৰ আদৰ্শ দেখা যায়।

শাসনখনত ৰজাই কাপিলগোত্ৰৰ মালাধৰ ভট্টৰ পুত্ৰ দেবধৰ শ্ৰুতিধৰক ৪০০০ ধান উৎপন্ন হোৱা মাটি দান কৰা কথা আছে। সেই মাটি ব্ৰহ্মপুত্ৰৰ দক্ষিণে দিজ্জিনা বিষয়ৰ অন্তৰ্গত হেংসিবা নামে ঠাইত আছিল। সেই হেংসিবা ক'ত এতিয়াও ঠিক ধৰিব পৰা নাই। নগাৱঁৰ ভিতৰত হাঁহচৰা গাৱঁতে এই ঠাই হোৱা সম্ভৱ।

ফলিখনত অনেক ৰাজকৰ্ম্মচাৰীৰ পদবী উল্লেখ আছে। সেইবোৰ এই—বিষয় কৰণ, ব্যবহাৰিক, ৰাণক, ৰাজবল্লভ, মহল্লকপ্ৰোঢ়িকা, হাস্তিবান্ধিক, নৌকাবান্ধিক, চৌৰোদ্ধৰণিক, দণ্ডকাৰী, দণ্ডপাশিক, ঔপৰিচৰ, ঔৎখেটয়িক, ছত্ৰবাস। এইবোৰৰ অৰ্থ ডাঃ হৰ্ণলিৰ লগত যি যি ঠাইত নিমিলে তাক ভট্টাচাৰ্য্যে দেখুৱাইছে। ইয়াৰ লগতে আমাৰ মহামহোপাধ্যায়ৰো অলপ-অচৰপ মত দিছে।

ফলিখনৰ শেহত সংবৎ লিখি কি শব্দ বহাইছিল জনা নেযায়। ভট্টাচাৰ্য্যে লিখিছে—এই শব্দটো আমাৰ স্বৰ্গীয় মহামহোপাধ্যায়ে ৰবৌ অৰ্থাৎ ১২ বুলি পঢ়িছিল, কিন্তু তেওঁ নিজে 'বসৌ' অৰ্থাৎ ৮ বুলি অনুমান কৰে। তেওঁ সেইদৰে পুথিতো ছপাইছে। তালিকাৰপৰা ১১শ বা ৭ম শতাব্দীত বলবৰ্ম্মাক দেখা নাযায়। বলবৰ্ম্মা ১০ম শতাব্দীৰ ৰজা বুলি নিৰ্ণীত হৈছে। আমি অনুমান কৰো সংবতৰ পাচৰ শব্দটো 'ৰুদ্ৰে' অৰ্থাৎ ১১ হব। তেনেহলেই আমি বলবৰ্ম্মাক (১১শ সংবতৰ পৰা বাদ দি) দশম শতাব্দীত পেলাব পাৰোঁ।—(শেষ পিছৰ সংখ্যাত)

শেষ চিঠি

—শ্ৰীযুত ৰমা দাশ

(এক)

"হেৰ আই! আইতাৰ খবৰ কি অ'?"

"এ আই, সেই একে, বৰ ভালো নহয় বেয়াও নহয়।"

"পিছেনো কেনে দেখিছা, আইতা জানো ইবেলি আকৌ উঠিব?"

"জানো আই! ঈশ্বৰেহে জানে। তাই বুঢ়ীয়ে হলে কবলৈ নেৰে, ঈশ্বৰে তাইক বৰ ভাল পায়। মোৰ হলে অকণো মনে নধৰে। ইচ্ বেচেৰী!—ঈশ্বৰে তেও অলপ মূৰ ডাঙি চ'ক! হয়, আই হয়! জগতৰ সেয়ে ৰীতি। তুমি যদি অলপ ভাল হোৱা, ঈশ্বৰে তোমাৰ মূৰতেই সকলো বিলৈ-বিঘিনি আনি জাপিবহি। আৰু যদি তুমি বেয়া হৈ ওপজা, ঈশ্বৰে তোমাৰ ফালে সমূলি কাণকে নকৰে।"

"কাণ কেলেই নকৰিব আই! কাণ কৰে, সদায় কৰে। ঈশ্বৰে তাকেহে আনি ভাৰতৰ সকলো ধন-সোণ দ'মাই দিয়েহি।"

"এৰা আই এৰা, ঠিক কৈছা। ঈশ্বৰে সদায় বেয়াকহে মৰম কৰে।"

(দুই)

আইতা তেতিয়া জুহালৰ ওচৰত পীৰা এখনত বহি। আইতাৰ সোতাৰা-সোতৰি মুখখনৰ ওপৰত জুইৰ ৰঙচুৱা আভা এটি পৰি বাৰ্দ্ধক্যৰ চিনবোৰ স্পষ্টকৈ ফুটাই তুলিছিল। আইতাৰ বয়স কিমান গাওঁত কোনেও কব নোৱাৰে। গতিকে আইতা 'আইতা' নামেৰেই সকলোৰে পৰিচিতা। আইতা আলৰ বুঢ়ী। তাতে আকৌ দুয়োটি চকু একেবাৰে দৃষ্টিহীন। আইতাৰ ধেনুভিৰীয়া দেহৰ আকৃতি আৰু কঙ্কাল সদৃশ শৰীৰৰ অৱশিষ্টলৈ চালে আইতা যে এদিন এজনী দিপ্‌লিপ্ ছোৱালী বা অনিন্দ্যসুন্দৰী গাভৰু আছিল, ভাবিবলৈকো যেন অস্বাভাৱিক লাগে। আইতাৰ সংসাৰ বৰ চকুত লগা নহলেও একেবাৰে তেনেই অচল যে তেনেও নহয়। সংসাৰত একেটি পো-ল'ৰা লখাইৰ বাহিৰে আইতাৰ আন একো আহুকাল বেছি নাই।

আজি কেদিনমান হ'ল আইতাই গাওঁৰ মানুহ আৰু ওচৰচুবুৰীয়াৰ সহানুভূতিৰ ওপৰত অলপ বেছিকৈ নিৰ্ভৰ কৰিব লগীয়াত পৰিছে। ভাত কাপোৰৰ কাৰণে নহয়; অকল অলপ ইপিনে সিপিনে ধৰি লৈ ফুৰাবলৈ, আৰু ভাতকেইটি সিজাই দিবলৈ। কিন্তু সেই বুলি অসন্তুষ্টি বা আমনিৰ ভাব তাত কোনোৱে দেখুৱা নাই। আইতাক সকলোৱে মৰম কৰে। আইতাৰ ঘৰত কাম কৰি দিয়াৰ পাল কেতিয়া পৰে, কেতিয়া পৰে বুলি গাওঁৰ তিৰোতা-ছোৱালী আটায়ে ব্যস্ত। নহবই বা কেলেই? সেই লখাই, আইতাৰ সংসাৰৰ একেটি সান্ত্বনা, তাৰ কথা জানো কোনোবাই পাহৰিব পাৰে? যিদিনা লখাই বগা টুপীডোখৰ পিন্ধি গান্ধীৰ মানুহৰ লগত জিলাত পিকেটিং কৰিবলৈ ওলাই যায়, সিদিনা গাওঁৰ সকলোৰে বুকু যেন শুদা হৈ গৈছিল। সকলোৰে ঘৰে ঘৰে গৈ লখাই হাত-যোৰকৈ কলে, আইতাক যেন কোনেও নাপাহৰে। আৰু নাপাহৰে বুলি জানিয়েই লখাই নিশ্চিন্তমনে গুচি গ'ল। কিন্তু আৰু উভতি নাহিল। আজি তিনিমাহ হ'ল সি ফাটেকত। কিন্তু সেই বুলি আইতাৰ শুশ্ৰূষা বা আল-পৈচানত কোনো ত্ৰুটী হোৱা নাই, আৰু দিনবোৰো প্ৰায় ভালেই কাটিছিল। মাথোন আজি কেইদিনমানৰপৰা অলপ আহুকাল হৈছে। আইতাৰ গাটো সিমান ভাল নহয়। তাতে আকৌ আজি ভালেমান দিন হ'ল জিলাৰ পৰা লখাইৰ কোনো চিঠিপত্ৰ অহা নাই। খোৱা-লোৱাত আইতাৰ অশ্ৰদ্ধাই দেখা দিছে। মন মাৰি বহি থাকে।

সুধিলে কয়, "ভোক নাই, নাখাওঁ।" স্বাস্থ্য লাহে লাহে ভাগি আহিব লাগিছে, কিন্তু তালৈ সমূলি মন-কাণ নাই। অকল গাওঁৰ চিঠি অনা পিয়ন কেতিয়া আহিব তাৰেহে কথা সোধে। ডাকঘৰৰ পিয়ন মাধ, আইতাৰ পেটৰ পোৰ দৰে। সকৰে পৰা আইতাই মাধৰ মৰমতে মৰে। মাধ আৰু লখাই স্কুলত পঢ়া দিন ধৰি বৰ লগ।

সিদিনা ৰাতি আইতাৰ সমূলি টোপনি নাই। কিবা-কিবি সপোন দেখি বাৰে-বাৰে চঁক খাই উঠিছিল। ৰাতি পুৱালত আইতাক আনদিনতকৈ বেছি অস্থিৰ আৰু নিস্তেজ দেখা গ'ল। সকলোৰে মুখ আন্ধাৰ। পাটীৰ পৰা উঠিয়েই আইতাই বিষণ্ণমনে সুধিলে,—"হেৰ, মাধৰ চিঠি লৈ আহিবৰ হলনে?"

"নাই আইতা সি ইমান পুৱাই নাহে নহয়, অলপ বেলি হলেহে আহিব।"

আইতাৰ চকু দুটি হঠাতে চল-চলীয়া হৈ উঠিল; কলে—"তেন্তে, সৌ কীৰ্ত্তন পুথিখন তাতে আছে; তাকে অকণ পঢ়ি শুনা। আজি মোৰ গাটো বৰ বেয়া।"

ওচৰৰে ধনাইৰ মাকে ভালেখিনি পৰ সুৰ ধৰি ধৰি গাই শুনালে। বেলি লাহে লাহে উঠি আহিল। বিছনাৰ কাষৰ খুটি এটাত ধৰি, ভৰ দি উঠি আইতাই কলে,—"সৌ পেৰাত মোৰ ভাল ধোৱা বিহা-মেখেলাজোৰ আছে, উলিয়াই দিবিনে আই? অকণ পিন্ধিবৰ মন গৈছে। পাৰ যদি চাহ এটোপাও কৰি দে। খাই-বৈ উঠি মই অলপ জুই পুৱাওঁ। মাধই দেখোঁ আজি বৰ পলম কৰিলে।"

ধৰাধৰিকৈ আইতাক সকলোৱে খুৱাই, পিন্ধাই জুহালৰ ওচৰৰ পীৰা এখনত নি বহুৱাই দিলে। তাৰ পিছত বেলি হোৱা দেখি আটায়ে এটি দুটিকৈ, ওৰে বাটে আইতাৰ কথাকে পাতি ঘৰাঘৰি গুচি গ'ল। অকল ধনাইৰ মাক আৰু আন এজনী তিৰোতা পদূলি মূৰত মাধৰ অপেক্ষাত থিয় দি থাকিল। মাধই তেতিয়াও তাৰ সেই হৰ্ষ-বিষাদ আৰু জীৱন-মৃত্যুৰ বাতৰিবোৰ একেলগে উদাসীনভাৱে সুমাই অনা, অদ্ভুত চিঠিৰ টোপোলাটো লৈ ওলোৱাহি নাই।

জুহালৰ ৰঙা ৰঙা জুইৰ আগকিটিৰ ফাললৈ চাই আইতা তন্ময় হ'ল। আপোনমনে, শুকান শুকান হাত-দুখনি পিহি কবলৈ ধৰিলে—"লখাই মোৰ! গান্ধীৰ মানুহবোৰে তোক লৈ গ'ল। নিনিবই বা কেলেই?—মোৰ লখাইৰ,—সেই দেহৰ গঢ়,—সেই মোটোহা মোটোহা হাত দুখনি,—লখাইক নিনি নিব কাক? লখাই মোৰ দেশৰ হকে যুঁজ নকৰিলে কৰিব কোনে? যা, লখাই যা। গান্ধীৰজাৰ হৈ যুঁজ কৰগৈ। বৰ ভালকৈ যুঁজ কৰগৈ। তই আকৌ উভতি আহিবি। তোৰ নাম সকলোৰে মুখে মুখে হ'ব। আটায়ে কব, সৌ যুঁজৰ পৰা লখাই আহিছে, লখাই আহিছে। মই বুঢ়ী চিঞৰি চিঞৰি ডিঙি ফালি ফালি কম,—"লখাই মোৰ, লখাই মোৰ। মই লখাইৰ আইতাক।"

এইখিনিতে আইতাৰ শুকান কণ্ঠধ্বনি এটি ক্ষীণ আৰ্ত্তনাদত ৰূপান্তৰিত হ'ল। আইতাই অলক্ষিতে চিঞৰি উঠিল—"কি?—কোন?—কোন?" চিঞৰ শুনি ধনাইৰ মাক নঙলাৰ পৰা লৰি আহি সুধিলে,—"আইতা, আইতা,—কি হৈছে?"

আইতাই দৃষ্টিহীন চকুযুৰি মাথোন এবাৰ সহায়হীনাৰ দৰে চাৰিওফালে ঘূৰালে। "নাই, আই! নাই। একো হোৱা নাই। মাথোন ভাবিছিলোঁ, ঈশ্বৰে মোক আকৌ চকু দুটি ওভতাই দিলে। দেখিলোঁ, মই জানো ঠিক আগৰ দৰে দেখা পাওঁ। আৰু—আৰু লখাই যেন আহি মোৰ ঠিক দুৱাৰ মুখতে থিয় দিছে।" এটি গভীৰ হুমুনিয়াহ আইতাৰ বুকু ভাঙি বৈ গল; সুধিলে—

"মাধ এতিয়াও অহা নাইনে?"

"নাই আইতা নাই অহা।"

অপেক্ষাৰ উৎকণ্ঠা লৈ আইতা আকৌ আগৰ ঠাইতে বহি থাকিল। ধনাইৰ মাকে লাহে লাহে পদূলিলৈ ওলাই আহি লগৰ তিৰোতাজনীক কলে, "আইতাৰ গা আজি বৰ বাৰু নহয়। কিজানি বেজক খবৰ দিয়াই ভাল।"

"এৰা, কিজানি দিবই লাগিব।"

চাওঁতে চাওঁতে মাধ আহি পালে। কিন্তু আজি তাৰ মুখত আগৰ সেই স্বাভাৱিক আনন্দৰ বিৰিঙনি নাই।

আজি "আইতা" "আইতা" বুলি সি বাটৰ পৰাই চিঞৰি অহা নাই। তাৰ গতি আজি ধীৰ আৰু মন্থৰ। ভৰিৰ খোজকিটিও যেন আঙুলিৰ মূৰত লেখিব পাৰি। বগলৰ তলৰ সেই চিৰপৰিচিত চিঠিৰ মোনাখনো যেন আজি হঠাতে তাৰ স্বাভাৱিকভাৱে গধুৰ হৈ পৰিছে। এখন মাথোন লেফাফাৰ চিঠি। চাৰিওকাষে বিষাদসূচক ক'লা আঁচটনা। গুৱাহাটী জেলৰ পৰা অহা, আইতাৰ নামে। মাধই হাতত লৈয়ে বুজিব পাৰিছিল তাত কি লিখা আছে। সি বাতৰি কাকততো পঢ়িছিল, গুৱাহাটী জেলত কলেৰাত বহু ৰাজ-বন্দীৰ মৃত্যু। মুহূৰ্ত্তৰ কাৰণে মাধৰ মন তাৰ নিৰ্ম্মম কৰ্ত্তব্যৰ ধিক্কাৰত তিক্ত হৈ উঠিল। তাৰ মনত পৰিল, সেই তাৰ আজীৱন লগৰীয়া লখাইৰ হাস্যোদ্দীপ্ত মুখখনি; আৰু লগে লগে আইতাৰ শেঁতা দৃষ্টহীন চকুযুৰি,—আইতাৰ উৎকণ্ঠা, প্ৰাৰ্থনা আৰু লখাইৰ প্ৰতি অসীম স্নেহ। সেই লখাই আৰু সেই আইতা। কেনেকৈ আজি সি সেই লখাইৰ মৃত্যুৰ বাতৰিৰ দূত হৈ আইতাৰ মৃত্যুৰ পূৰ্ব্বৰ দুদণ্ডৰ সুখৰ ৰাজ্যখনি চূৰমাৰকৈ ভাঙি পেলাব! নাই, সি নোৱাৰে। অন্তৰৰপৰা কোনোবাই কৈ উঠিল, "মাধ, কৰ্ত্তব্য অপ্ৰিয় হলেও পালনীয়।"

ধীৰ মন্থৰ গতিৰে মাধই কোনো ৰকমে তাৰ ঠেংকিখন চোঁচৰাই নিবলৈ ধৰিলে। মাজে মাজে কথা এটিয়ে তাৰ মনত বিজুলীয়াই গ'ল—"যদি চিঠিখন এদিন কি দুদিন পলমকৈ দিওঁ!"

আইতাৰ নঙলামূৰতে বাট চাই থকা তিৰোতা দুজনীৰ মাতত মাধৰ গালৈ চেতন আহিল। চিন্তাৰাজ্যৰপৰা নামি আহি সি ভাবিলে, আইতাক যদি ভাল দেখোঁ তেহে, নহলে নহয়।

"সৌ যে মাধ! হেৰা বেগাই আহাচোন। আইতা যে তেনেই অস্থিৰ হৈ পৰিছে।" কথাকেষাৰ শুনি মাধৰ খোজকিটি অলপ দ্ৰুত হ'ল। এটি অস্থিৰতাৰ আবেগত মাধই আহি সুধিলে,—"কেলেই? আইতাৰ গা অসুখ নেকি?"

"এৰা প্ৰায় তেনেই,—লখাইৰ চিন্তাই আইতাক একেবাৰে জুৰুলা কৰিলে। লখাইৰ জানো কিবা চিঠি আহিছে আজি?"

মাধই হৃদয়ৰ দুৰ্ব্বলতা জয় কৰিব নোৱাৰিলে। অলপ পৰ টলকা মাৰি বৈ এটি অস্বাভাৱিক দৃঢ়সুৰে লাহেকৈ কলে,—"নাই।"

তাৰ পিছত এখোজ দুখোজকৈ আইতাৰ কাষলৈ মাধ সোমাই গ'ল আৰু সেই শেঁতা মুখখনিৰ ফালে একেথৰে চাই থাকিল। মাধৰ ভৰিৰ শবদত আইতাই থিয় দিবলৈ চেষ্টা কৰি, জুহালৰ ওচৰৰ খুটিডাল খেপিয়াই সুধিলে "মাধ', মাধ' নেকি অ'?—ইছ্ বিধি! আজি মোৰ মূৰত একোৱে ঠিক নোহোৱাত পৰিছে। চিনাকি শব্দৰো যেন আজি ঠিক নোপোৱাত পৰিছোঁ। হয়নে? মাধ বোপানে?"

মাধই সেই বিবৰ্ণ ৰুগ্ন দেহাৱশিষ্টৰ ফালে বিষাদসনা এটি দৃষ্টিৰে চাই উত্তৰ দিলে,—

"এৰা আইতা, মই মাধ। তুমি মিছাকৈ দুখ কৰিছা কেলেই? তোমাৰ জানো কেতিয়াবা ভুল হয়?"

"তেনেহলে তই মোৰ লখাইৰ চিঠি আনিছ?"

প্ৰশ্নৰ লগে লগে অদৃশ্য গধুৰ কিবা এটি আহি মাধৰ বুকুত হেঁচা মাৰি ধৰিলে। মাধই অতৰ্কিতে মিছা মাতি পেলালে,—"নাই"।

আইতাই খুটাত মূৰটো থৈ এটি অৱসাদৰ হুমুনিয়াহ কাঢ়ি কলে,—

"তেন্তে আৰু অসম্ভৱ মাধ, অসম্ভৱ! মই আৰু বাট চাব নোৱাৰোঁ।"

শোকে মাধৰ বুকুখনি দুফাল কৰি পেলালে, কিন্তু সি অলপো বিচলিত নহৈ, ধনাইৰ মাকৰ কাষলৈ গৈ কাণে কাণে কলে, সি যাওঁতে বেজক মাতি দি যাব, তেওঁলোকে যেন আইতাক আজি ভালদৰে চায়। আইতাৰ গা আজি বৰ বেয়া। তাৰ পিছত আইতাৰ ওচৰ চাপি মৰম লগাই কলে,—"আইতা আপুনি দুখ কৰিছে কেলেই? আজিতো গুৱাহাটীৰ ফালৰ চিঠি অহা দিন নহয়!"

এটি আশাৰ আবেগ আইতাৰ মাতত ঝঙ্কাৰি উঠিল। আইতাই আকুলকণ্ঠে সুধিলে,—"সঁচানে মাধ?"

"সঁচা আইতা! আজি তো ডাক অহা দিন নহয়। কালিলৈ নাইবা ঠিক পৰহি লখাইৰ খবৰ আহিব।"

"সঁচা মাধ, সঁচা! মোৰে শপত সঁচা কৈছা?"

"সঁচা আইতা, সত্যে সঁচা, লখাই ভালে আছে।"

আইতাৰ পাণুমুখখনি দীপ্ত হৈ উঠিল। "হয়, মাধ হয়। ঈশ্বৰে তোৰ মঙ্গল কৰক। মোৰ লখাই ভালে আছে। তই কেতিয়াও মিছা কথা নকৰ। ঈশ্বৰে তোৰ মঙ্গল কৰক মাধ, ঈশ্বৰে তোৰ মঙ্গক কৰক।" মাধই আইতাৰ শুকান হাত দুখনি অলপ পৰ নিজৰ হাতৰ মাজত সুমাই পিহি দি, লাহে লাহে ঘৰৰ পৰা ওলাই গ'ল। তাৰ মোনাৰ ওৱাহাটী জেলৰ ক'লা চিঠিখনি মোনাতেই থাকিল।

(তিনি)

সংসাৰৰ দৈনন্দিন কৰ্ত্তব্যৰ চকৰিয়ে কালৈকেও অপেক্ষা নকৰে। ৰাতি পুৱাল। মাধই গৈ আকৌ তাৰ সেই চিৰ অভ্যস্ত ডাকঘৰৰ মেজখনৰ কাম পালেগৈ। নানা ধৰণৰ বিবিধ চিঠিৰ দ'ম। এখন দুখন তিনিখনকৈ মাধই তাৰ অভ্যস্ত প্ৰথামতে খুপাই যাবলৈ ধৰিলে। হঠাতে চিঠি এখনত হাত পৰি মাধ চমকি উঠিল। ইকি! ই যে লখাইৰ হাতৰ আখৰ। ওৱাহাটী জেলৰ ছাপ। শ্ৰীযুতা আইতাৰ শ্ৰীচৰণেষু। মাধই তাৰ চকুক বিশ্বাস কৰিব নোৱাৰাত পৰিল। কিন্তু ভুল বা হব কেনেকৈ? সি যে তাৰ আবাল্য সহচৰ লখাইৰ হাতৰ আখৰ কেইটি চকু মুদি হলেও চিনিব পাৰে। মাধই ভাবি ভাবি ভাগবি পৰিল। অন্তশেষত বহুত তাৰ চকুত লাহে লাহে স্পষ্ট হৈ আহিবলৈ ধৰিলে। মাধৰ বুজিবলৈ বাকী নাথাকিল যে এই আজিৰ চিঠিখনেই লখাইৰ মৃত্যুৰ পূৰ্ব্বে লিখা শেষ চিঠি। জেলৰ কৰ্ত্তৃপক্ষৰ কঠিন পৰ্য্যবেক্ষণৰ মেৰজাল পাৰ হৈ হৈ আহোঁতে আহোঁতে তাৰ আজি ইমান পলম হ'ল। তাৰ আকস্মিক মৃত্যুৰ খবৰ আগেয়ে আহি পালেহি। বহুত উদ্ঘাটনৰ চেঁচা সাম্বনাত মাধৰ মন দমি নগ'ল। তাৰ পৰিবৰ্ত্তে তাৰ বুকুলৈ এটি উদ্দাম আনন্দৰ জোৱাৰ আহিল। সি মনতে ভাবিলে, যে কালি সি আইতাৰ আগত কৰি অহা প্ৰতিজ্ঞা বক্ষাৰ কাৰণে ঈশ্বৰে তাকৈ আজি এই প্ৰয়োজনীয় আহিলা পঠিয়াই দিছে। এবাৰ মেতিয়া সি আইতাক আশা দি আহিছে, সি আক তাক ছনাই ভাঙি-ছিণ্ডি নেপেলায়। বিপুল উত্তেজনাৰ ভৰত সি একেচাবে তাৰ সকলো কৰ্ত্তব্যলৈ পিঠি দি উধাতু খাই লৰ দিলে। হেনাই-হেঁপাহে আইতাৰ ছত্ৰাবত আহি মাতিলে,—আইতা! আইতা!

আইতা তেতিয়া বিছনাত। মুৰ ডাঙি সমিধান দিবলৈকো অক্ষম। মাধই দেখিলে আইতাৰ মুখখনি আজি আগতকৈ বেছি বিবর্ণ আৰু ক্ষীণ। কিন্তু তথাপি শক্ত কাষ চপাৰ লগে লগে আইতাৰ দৃষ্টিহীন চকুদুটাত এটি উত্তেজনাপূর্ণ উজ্জ্বলতাই যেন দেখা দিলে। সেয়াই সেহাই আইতাই মাতিলে,—

"মাধ মোৰ গাটো অলপ বেয়া। কিন্তু সি পিছ কথা। তই নিশ্চয় আজি চিঠি আনিছ?"

"হয় আনিছোঁ" বুলি মাধই সেই চিৰ-ঈপ্সিত পত্ৰখনি আগ বঢ়াই দিলে। কঁপা-কঁপা শুকান ক্ষীণ আঙুলিকেই আইতাই আলফুলকৈ চিঠিখনৰ ওপৰত বুলাই বুলাই এটি চুমুনিয়াহ পেলালে। "মাধ ঈশ্বৰে তোৰ মঙ্গল কৰক। —হ' ধৰ, পঢ়ি শুনা।"

মাধই পঢ়ি গ'ল। ঠাঁয়ে ঠাঁয়ে আবেগত মাধৰ কণ্ঠ জড়িত হৈ আহিছিল।

মৰমৰ আইতা!

তুমি অকণো মোৰ কাৰণে মন বেয়া কৰি নাথাকিবা। আমি বৰ আনন্দেৰে ইয়াত আছোঁহক। দিনে দিনে আমাৰ লগ বেছি হৈ গৈছে। শুনিবান কিমান ডাঙৰ মানুহবোৰ আমাৰ লগত থাকে? সেই তাহানি আমাৰ গাৰ্ডলৈ মোৱা মাটিৰ হাকিমজন, কালি আহি পাইছে। জিলাৰ ডেকা উকীলজন, ডেৰী ইয়াতে। আৰু যে কিমান,—তুমি চিনিবে নাপাবা। আমাৰ বেছ স্ফূৰ্ত্তি। মাজে মাজে অলপ কাশো কৰো দেই। কিন্তু আইতা তুমি সমুলি দুখ নকৰিবা। টান কাম আমাক অলপো নিদিয়ে। আৰু খোৱাৰ কথালৈ কি কম? আমি দুগীয়া মানুহ, শাকে ভাতে অলপ হলেই হ'ল। কিন্তু আইতা, খোৱাৰ সময়ত হলে সদায় তোমাৰেই মনত পৰে।

মোৰ লগত অহা আমাৰ গাৰ্ড বৰ আটায়ে ভালে আছে। অকণ হলিৰ অলপ জ্বৰ। বেছি নহয় দেই। মাকক আকৌ দুখ কৰিবলৈ হাক দিবা।

তুমি চাগৈ ভালেই আছা নহয়নে? পদ্মমে কিজানি সদায় মোৰ খবৰ সুধি তোমাক আমনি দিয়ে নহয়নে? বাৰীৰ আমজোপা ইমানদিনে পকিব পায়। ইবেলি তুমিয়ে অকলে খাবাদেই; মই গৈ বোধকৰো নাপাম। কলী গৰুজনী জগিছে হবলা। পোৱালীটিক খনাইৰ মাকক অলপ চকু দিব দিবা, যাতে নেহেৰায়। পোনতে বেছি নিধীবাবা দেই, পোৱালীটো নিচেই চেৰেলা হব।

আজিলৈ আৰু সৰহ নিলিখোঁ। তুমি দুখ কৰি নাথাকিবা। বেছি দিন নাই, আকৌ তোমাক লগ পামগৈ। ইতি—

তোমাৰ—লখাই

আইতাৰ মুখত এটা তৃপ্তিৰ স্তিমিত আভা বিবিড়ি উঠিল। এটি ম্লান ক্ষীণ হাঁহি দুয়োটি ওঁঠেদি বাগৰি গ'ল। গাকটো অলপ কাষলৈ চপাই আইতাই গাটো পোনাই দীঘল দি লৈ, নিজেও হাত দুখনি বুকুত চপাই আনি কবলৈ ধৰিলে—

"ঈশ্বৰ কঠুৰা নহয় মাধ, ঈশ্বৰ কঠুৰা নহয়। ঈশ্বৰে আমাক সহিব নোৱাৰাকৈ কেতিয়াও কষ্ট নিদিয়ে। নিশা কাৰবাৰ দুখ যাব পাবে, কিন্তু ৰাতি পুৱালেই সুখ আহে, ই নিশ্চয়।"

ভক্তি আৰু কৃতজ্ঞতাৰ ভৰত আইতাৰ দৃষ্টিহীন চকু দুটি লাহে লাহে মুদ খালে। মাধই চিঠিখনি দুহাতত গুজি দি লাহে লাহে ওলাই গ'ল।

(চাৰি)

ৰাতিৰ ভীষণ ধুমুহা বতাহৰ তাণ্ডৱলীলাৰ মাজত, লখাইৰ শেষ চিঠিখনি বুকুত সাৱটি লৈ আইতাৰ তৃপ্ত আত্মাই ইহ-জগতৰ পৰা বিদায় ললে। বেলি উঠাৰ লগে লগে গাৰ্ডসকলো খবৰ বিয়পি পৰিল। মাধৰ মোনাৰ ক'লা চিঠিখনৰ কথাই চাঙতে চাঙতে চাৰিওদিশ আৱৰি পেলালে। মিলিত নবনাবীৰ শ্ৰদ্ধাঞ্জলি লৈ আইতাৰ দেহাৱশিষ্ট দেখোতে দেখোতে অগ্নিৰ বুকুত বিলীন হ'ল। গাৰ্ডৰ গছ-বিবিধৰ পাত কঁপাই জয়ধ্বনি উঠিল,—"জয় মহাত্মা গান্ধীৰ জয়!" "জয় লখাইৰ জয়!"*

* এটি বিদেশী গল্পৰ নতুন বৰঙণি দি লিখা।

মৰু-প্ৰবাসীৰ আক্ষেপ

—শ্ৰীযুত শৈলধৰ ৰাজখোৱা, বি-এ

দুপৰৰ চোকা ৰ'দ পাতলি আহিছে দীবে
মাৰ যায় আকুল পিয়াহ;
উগুল-খুগুল মন যাব খোজে পিছুৱাই,
এৰি অহাধিনি যেন
পাবলই কতনো হেঁপাহ!

এতিয়া উলাট গলে পাম নে সকলো বাক,
একেদৰে আছে নে সকলো?
জনমৰ ঠাই মোৰ আই-ভাই, বাই-ভনী
পাম নে সকলো তাতে,
যাঁত মই এৰি আহিছিলোঁ?

দুখীয়া পঁজাত মোৰ নাছিল অভাৱ একো,
দয়া-মায়া সাদৰী বচন ;
সবগৰ সুধা যেন সাদৰী হাতৰ ভাও
মন বুজি যাঁচি দিয়া
দুখীয়াৰ ক্ষুদ্ৰ আয়োজন।

দিনৰ ভাগৰ হই সন্ধিয়াৰ লগে লগে
উলাটিলে ঘৰমুৱা হই,
দুখনি সাদৰী হাত কতনো চেনেহী চকু
বই থাকে দুৱাৰত
হেঁপাহেৰে আদবিবলই।

ঠেহ-পেচ অভিমান অথলে নাযায় ঘ'ত,—
সলনিত মধুৰ বুজনি ;
মৰি-পৰি যতনেৰে মনৰ যোগান ধৰি
নকৰিলে শাঁত মোক
শৰীৰত নাথাকে তৰণি।

চেনেহত পমি ঘোৱা কতনো ধুনীয়া চকু
বৈ থাকে চউপাশে মোৰ ;
পাতলিলে অভিমান কাষ চাপি সকলোটি
খেলৰ লগৰী হই
পাহৰায় দিনৰ ভাগৰ।

মোৰ যে দুখত দুখী সুখত আনন্দময়
স্বাৰ্থহীন ককণা আধাৰ,
কতনো সৰল হিয়া অযাচিত চেনেহত
আৰবি বাখিলে নিতে
পাহৰাই কঠুৱা সংসাৰ।

এতিয়া উলাট গলে পাম নে সকলো বাক,
এবিলোঁ যি কবি অনাদৰ ?
মৰীচিকা পাছে লবি আকুল পিয়াহ দেখো
দুগুণে উথলি উঠে,
আশা মোৰ নিমিটে প্ৰাণৰ !

মৰুৰ মাজত দেখো নেদেখো শীতল পানী
দেখো মাথো ৰূপালী বহণ ;
চিকিমিকি জিলিকনি দেখাত শুৱনি হায় !
চাপি আহি কাষ তাৰ,
পিয়াহত বিষাকুল মন।

বেলিৰ পোহৰ পাই ওপৰৰ বালিকণা
তুচ্ছ কবি তলৰ তৰপ,
বাহিৰে জিলিকে মাথোঁ বুজিছে অন্তৰে তাৰ
নীৰস মৰুত পবি
সহে কেনে নিদাৰুণ তাপ !

ধুমুহা এছাট আহি ওপৰৰ বালিবোৰ
উকৰাই পুতিলে তলত ;
তলৰ তৰপ উঠি দুদিন জিলিকি পিছে
পাই সেই একেদশা
চাটচুটি কবে পিয়াহত।

ইয়াকে বিচাৰি হায় ! নিজৰাৰ বালিকণা
আহিছিলোঁ ভৰ দুপৰত।
এতিয়া উলটি গলে পাম নে দুনাই মই
এবি অহা থান মোৰ
চেনেহৰ নিজৰা বুকত ?

স্বৰ্গতত্ত্ব আৰু নৰকতত্ত্ব বা যাম্যলীলা

(৩)

—শ্ৰীযুত পদ্মেশ্বৰ গগৈ, বি-এ

ঋগ্বেদীয় ঐতৰেয় ব্ৰাহ্মণত লিখা আছে যে কশ্যপৰ পুত্ৰ মনুষ্য দেৱতা বিষ্ণু ব্ৰহ্মলোকৰ দ্বাৰপাল আছিল অৰ্থাৎ ব্ৰহ্মাৰ প্ৰতিষ্ঠিত এই তৃতীয় ব্ৰহ্মলোকলৈ (উত্তৰ কুৰুলৈ) যাব খোজা বিজাৰ্থী, যতি, সন্ন্যাসী প্ৰভৃতিয়ে দেৱযান পথেদি তপোলোকৰ ভিতৰ সোমাই ব্ৰহ্মলোকলৈ যাব লগা হৈছিল ; গতিকে বিষ্ণুৰ বাজ্য তপোলোক ব্ৰহ্মলোক প্ৰবেশৰ দ্বাৰস্বৰূপ, এই হেতুকে বিষ্ণু বেদত দ্বাৰপাল নামে প্ৰখ্যাত। পিছত ব্ৰহ্মাই তেওঁৰ (বিষ্ণুৰ) জ্যেষ্ঠ ভ্ৰাতা আদিত্যৰ ওপিপালিত হিৰণ্যবৰ্ষ বা তপোলোক বিষ্ণুক দিছিল।

(ক) "বিষ্ণু বৈ দেবানাং দ্বাৰপাঃ স এষ অস্মৈ এতদ্বাৰং বিবৃণোতি।"—(ঐতৰেয় ব্ৰহ্মণ)

(খ) "মৈত্ৰং বৈ অহঃ বাৰুণী বাত্ৰিঃ"—(তৈত্তিৰীয় ব্ৰাহ্মণ) অৰ্থাৎ এই অহঃ আৰু বাত্ৰিজনপদ প্ৰথমে ব্ৰহ্মাই নবহৰ্য্যক দিছিল, তাৰ পিছত মিত্ৰ আৰু বৰুণ, তাৰ পিছত বিষ্ণুৰে পায়। এয়েই অহোলোক বা তপোলোক। এই বিষয়ে ভগবদ্গীতাত লিখিছে "অগ্নিৰ্জ্যোতিৰহঃ শুক্লঃ ষণ্মাসা উত্তৰায়ণম্। তত্ৰ প্ৰযাতা গচ্ছন্তি ব্ৰহ্ম ব্ৰহ্মবিদো জনাঃ"—(গীতা, ৮ অঃ ২৪ শ্লোক)

এই তপোলোক বা আদিত্যলোক বিষ্ণুৰ সময়ত "গোলক" বা "বৈকুণ্ঠ" নামে আখ্যায়িত হয়। এই বিষ্ণুৰেই (থৰ্ম্মাকৃতি হেতু) পুৰাণত বামন বিষ্ণু বা হৰি নামে অভিহিত। যজুৰ্ব্বেদত লিখিছে যে পিতৃভূমি ইলাবৃতবৰ্ষৰ পৰা এই বামন বিষ্ণু তিনিবাৰ নবলোকলৈ (অৰ্থাৎ ভাৰত বা পৃথিবীলৈ) আহে। সেই সময়ত মহাৰাজ বেণপুত্ৰ পৃথুৰজাৰ নামানুসাৰে ভাৰতৰ নাম পৃথিবী আছিল। যজুৰ্ব্বেদত লিখিছে "ইদং বিষ্ণু বিচক্ৰমে ত্ৰেধানিদধেপদম" (যজু)। এই বেদমন্ত্ৰানুসাৰে বিষ্ণুৰ মনুষ্যলোকলৈ অহাৰ বিষয়ে পুৰাণতো এইদৰে লিখা আছে,

" স্বৰ্লোকে বমতি বিষ্ণো বৈকুণ্ঠোস্যা মাস্থনঃ।
স কথং মানুষে লোকে পদং স্থাস কৰাবহ॥"

—(পদ্মপুৰাণ)

"পৃথিবী মধ্য বেখা চ নৰ্ম্মদা পবিকীৰ্ত্তিতা" এই চৰণদ্বয়ৰ টীকাৰ পৰাও পৃথিবী মানে ভাৰতক বুজুৱাটো বেছকৈ ধাৰণা কবিব পাৰি। "পৃথ্বীতাৎ ত্ৰিকোণা" (ৰমমঞ্জৰী)। ইও চৰণদ্বয়ৰ টীকাৰ সমৰ্থন কৰে।

বিষ্ণু ভাৰতলৈ অহাৰ কাৰণ তিনটা, যেনে—(১) বৈমাত্ৰেয় ভ্ৰাতা দানববিলাকৰদ্বাৰা স্বৰ্গৰপৰা বিতাড়িত হোৱা, (২) ভ্ৰাতুষ্পুত্ৰ মনুক ভাৰতত উপনিবিষ্ট কৰা আৰু (৩) সিন্ধুনৈৰ পাৰত ৰাজত্ব কৰা দানবৰাজ বলিক নিৰ্য্যাত কৰা।

দানবৰাজ বলিয়ে বামন বিষ্ণু বা হৰিৰ হাতত খেদা খাই অগত্যা পাতাললৈ (দক্ষিণ আমেৰিকালৈ) যাব লগীয়া হল, আৰু বলিৰ নামানুসৰি সেই পাতালখণ্ডৰ নাম "বালিভিয়া" (Bolivia) হয়। নানা প্ৰকাৰে ছল, বল আৰু কৌশল প্ৰয়োগ কৰি বামন বিষ্ণুৰে সিন্ধুনৈৰ পাৰৰ পৰা বলিক খেদি সেই সিহাসনত তেওঁৰ জ্যেষ্ঠ সহোদৰ বিবস্বানৰ পুত্ৰ মনুক অভিষিক্ত কৰিলে। বিষ্ণুৰ সহায়েৰে এই মনুৱে পুনৰ অযোধ্যা নগৰীও পাতে, তাৰ প্ৰমাণ ৰামায়ণৰ পৰাই পোৱা যায়, যেনে—

"অযোধ্যা নাম নগৰী তত্ৰাসীৎ লোকবিশ্ৰুতঃ।
মনুনা মানবেন্দ্ৰেণ যা পুৰী নিৰ্ম্মিতা স্বয়ম্॥"

—(ৰামায়ণ ৯ম বালকাণ্ড)

মনু বিবস্বানৰ (সূৰ্য্যৰ) পুত্ৰ। এই হেতুকে তেওঁৰ সন্তান-

সন্ততিবিলাক সূৰ্য্যবংশীয় বুলি কথিত আৰু স্বৰ্গভ্ৰষ্ট হৈ ভাৰতলৈ অহা মনুষ্যদেৱতাবিলাকৰ দ্বাৰাই এই অযোধ্যা নগৰী নিৰ্ম্মিত হৈছিল কাৰণে বেদত তাক দেবপুৰী বুলি কৈছে, যেনে—"দেবানাং পুৰযোধ্যা"—(অথৰ্ব্ববেদ)

মনুষ্যদেৱতাবিলাকৰ ভিতৰতো সূৰ্য্য আৰু চন্দ্ৰ দেৱতাৰ নিচিনাকৈ দানৱবিলাকৰ ভিতৰতো সূৰ্য্য আৰু চন্দ্ৰ নামে দুজন প্ৰধান দানৱ আছিল—

"অন্যৌ তু খলু দেবানাং সূৰ্য্যাচন্দ্ৰমসৌ স্মৃতৌ।
অন্যো দানব মুখ্যানাং সূৰ্য্যাচন্দ্ৰমসৌ তথা॥

(মহাভাৰত আদি পৰ্ব্ব ২৭-৬৪ অঃ)

কিন্তু স্মৰণ ৰখা উচিত যে আকাশত থকা চন্দ্ৰ আৰু সূৰ্য্য জড়, গতিকে দেৱতাও নহয় দানৱো নহয়।

তৈত্তিৰীয় উপনিষদত লিখা আছে "মৰ্হ ইতি চন্দ্ৰমা" অৰ্থাৎ মৰ্হলোকৰ অধিপতি মহৰ্ষি অত্ৰিপুত্ৰ চন্দ্ৰ। প্ৰশ্নোপনিষদত লিখা আছে যে এই নৰচন্দ্ৰৰ প্ৰতিষ্ঠিত মৰ্হলোক বা ৰম্যকবৰ্ষত যি জনপদ আছিল তাৰ নাম "সংবৎসৰ"। এই সংবৎসৰ ৰাজ্য দুই ভাগত বিভক্ত আছিল, উত্তৰ সংবৎসৰ আৰু দক্ষিণ সংবৎসৰ। প্ৰথম ভাগ উত্তৰ সমুদ্ৰৰপৰা উঠিছে আৰু দ্বিতীয় ভাগ মেৰু বা আল্টাই পৰ্ব্বতৰ সানু প্ৰদেশত। কৃষ্ণ-যজুতো লিখিছে যে "সংবৎসৰ" দেৱতাবিলাকৰ দেশ বা জমিদাৰী, প্ৰথমতে অসুৰবিলাকে তাক অধিকাৰ কৰিছিল, কিন্তু দেৱতাবিলাকে সিহঁতক পৰাস্ত কৰি পুনৰ তাক অধিকাৰ কৰিলে। ঋক্‌বেদত লিখা আছে যে সুৰজ্যেষ্ঠ ধাতা ব্ৰহ্মা তেওঁৰ ভায়েক চন্দ্ৰক এই সংবৎসৰ নামৰ ৰাজ্যত অভিষিক্ত কৰিছিল। এইখনেই বৈদিক কালৰ অৰ্চ্চিলোক, সেই কাৰণেই ঋক্‌বেদৰ মনুষ্যদেৱতা নৰচন্দ্ৰ "মহাস্বান্" এই বিশেষণেৰে বিশিষ্ট হোৱা দেখা যায়। কোৱা বাহুল্য যে নৰচন্দ্ৰৰ এই সংবৎসৰ নামৰ জমিদাৰীখন পিছত দক্ষিণ চাইবেৰিয়া নামে গণ্য হৈছে। এই দেশখন অতিশয় শস্যশালী আছিল আৰু তাত "সোম" নামেৰে মদ্যও প্ৰস্তুত হৈছিল কাৰণে চন্দ্ৰক কালক্ৰমত "ওষধিনাথ" আৰু "সুধাকৰ" বোলা হৈছিল। পুৰাণতো এই সংবৎসৰ নামৰ জনপদখন "চন্দ্ৰদ্বীপ" বা "চন্দ্ৰমণ্ডল" নামে প্ৰখ্যাত।

যেনে,—উত্তৰকুৰুণাং পাৰ্শ্বে জ্ঞেয়স্তু দক্ষিণে।
চন্দ্ৰদ্বীপ ইতি খ্যাত চন্দ্ৰমণ্ডলসংজ্ঞিতঃ॥

(বায়ু পুৰাণ)

শুক্লযজুৱে কৈছে "সোমো ব্ৰাহ্মণানাং ৰাজা আসীৎ" অৰ্থাৎ অত্ৰিপুত্ৰ চন্দ্ৰ ব্ৰাহ্মণবিলাকৰ ৰজা আছিল, আৰু ইয়াত "সোম" মানে নৰচন্দ্ৰকে বুজাইছে। কিন্তু এই ব্ৰাহ্মণবিলাকনো কোন আৰু ক'ৰপৰা আহিছিল এইটো সুধিব লগীয়া। এই ব্ৰাহ্মণবিলাক মঙ্গাদি দেশৰপৰা (বৰ্ত্তমান মঙ্গোলিয়া) আহি সংবৎসৰত বাস কৰিছিল। মহাভাৰতত স্পষ্টকৈ কৈছে যে মঙ্গদেশ সেই কালত স্বধৰ্ম্মনিৰত ব্ৰাহ্মণপ্ৰধান দেশ আছিল। যেনে—"মঙ্গাঃ ব্ৰাহ্মণভূয়িষ্ঠা স্বকৰ্ম্মনিৰত নৃপঃ —(ভীষ্মপৰ্ব্ব)। বৰ্ত্তমানে তাৰ কোনো নিদৰ্শন পোৱা নাযায়, কিন্তু তথাপি মিছা বুলি কব নোৱাৰি। আজিকালিৰ যুগত ৰাজসূয় যজ্ঞ নাই বুলি সি যে মিছা তাক কব নোৱাৰি। এই স্বৰ্গবাসী ব্ৰাহ্মণ বা দেৱগণেই ভাৰতলৈ অহা বা ভাৰতত উপবিষ্ট ব্ৰাহ্মণবিলাকৰ পূৰ্ব্বপুৰুষ। যেনে—

"দেবলোকাদেব মনুষ্যলোকে প্ৰতিতিষ্ঠতি" কৃষ্ণযজু। অৰ্থাৎ দেবলোকৰপৰা এওঁলোক মনুষ্যলোক ভাৰতলৈ আহিছিল। গতিকে নৰচন্দ্ৰ আৰু চন্দ্ৰবংশীয়সকলেই ব্ৰাহ্মণ আছিল যেনে,—"সৌম্যা হি ব্ৰাহ্মণঃ।" সহজ কথাত অদিতি গৰ্ভসম্ভূত ব্ৰহ্মাদি সকলোৱেই ব্ৰাহ্মণ। যেনে—"এতে খলু বাব আদিত্যা যৎ ব্ৰাহ্মণাঃ।" পুৰাণতো লিখা আছে যে চন্দ্ৰ পিতৃলোকৰ (মঙ্গোলিয়াৰ) অধিপতি আৰু শাস্ত্ৰবিশাৰদ আছিল, যেনে—"সোমঃ পিতৃণামধিপতিঃ কথং শাস্ত্ৰবিশাৰদঃ। তদ্বংশ্যা যে চ ৰাজানো বভূবুঃ কীৰ্ত্তিবৰ্দ্ধনাঃ।

—(মৎস্য পুৰাণ)

তেওঁ সুৰজ্যেষ্ঠ ধাতা ব্ৰহ্মাৰ আদেশত "চান্দ্ৰব্যাকৰণ" ৰচনা কৰিছিল। এই চন্দ্ৰবংশীয় ৰজাবিলাক অতি যশস্বী আছিল।

পুৰাণাদিৰপৰা ব্ৰহ্মলোকত হিমপ্ৰলয় হলে ব্ৰহ্মলোকবাসীবিলাক কেৱল সূৰ্য্যলোকলৈকে নহয় চন্দ্ৰলোকলৈও গৈছিল বুলি পাওঁ। যেনে—

"ব্ৰহ্মলোকচ্যুতাঃ সৰ্ব্বে সৰ্ব্বেষু সাধবঃ।
ৰক্ষণাৰ্থং তু ভূতানাং প্ৰবিশন্তি দিবাকৰম্॥
আদিত্যতাপতস্তাস্তে বিশন্তি শশিমণ্ডলম্।

—(মহাভাৰত ভীষ্মপৰ্ব্ব ৩২।৭ অঃ)

(অৰ্থাৎ সূৰ্য্যলোকতো হিমপ্ৰলয় হয়, যদি ব্ৰহ্মলোকৰ পৰা আহি সূৰ্য্যলোকতো হিমপ্ৰলয়ৰ হাত সাৰিব নোৱাৰে তেতিয়া মানুহবিলাকে চন্দ্ৰলোকত আশ্ৰয় লয় গৈ)

কেৱল অজ্ঞান আৰু বিস্মৃতি হেতুকেহে আকাশত থকা জড়চন্দ্ৰৰ ওপৰত চেতনাযুক্ত নৰচন্দ্ৰৰ সকলো গুণ আৰোপ কৰা দেখা যায়, কিন্তু অষ্টবসুৰ ভিতৰত আকাশত থকা জড়চন্দ্ৰও এটা "বসু" আৰু জীৱৰাম কৰে গতিকে শ্ৰুতিত এইবিলাকক বসু বুলিছে। বশিষ্ঠত লিখা আছে যে, পৃথিবীত থকা জীৱসমূহৰ নিচিনাকৈ আন আন বসুতো সদৃশ জীৱ বাস কৰে। তলত দিয়া শ্লোকবিলাকৰপৰা অষ্ট বসুৰ বিষয়ে কিছু জনা যায়।

(ক("যদিদং সৰ্ব্বং বাসয়ন্তে তস্মাদ্বম ইতি" (ছান্দোগ্য)

(খ) আঠোটা বসুৰ নাম—অগ্নি, বায়ু, জল, অন্তৰীক্ষ, পৃথ্বী, আদিত্য, চন্দ্ৰমা আৰু নক্ষত্ৰ।

(গ) "যেনৈব ব্যৱহাৰেণ ব্ৰহ্মাণ্ড্যেস্মিন্ জনাস্থিতাঃ।
তেনৈবাদন্যেষু তিষ্ঠন্তি সন্নিবেশ বিলক্ষণাঃ॥"

(যোগবশিষ্ঠ)

For সূৰ্য্যবসু vide "The sun a habitual body like the earth."

ইতিপূৰ্ব্বেই কোৱা হৈছে যে সুৰজ্যেষ্ঠ ব্ৰহ্মাই নিজৰ কনিষ্ঠ ভ্ৰাতা ইন্দ্ৰৰ হাতত ত্ৰৈলোক্যৰ শাসনভাৰ গতাই দি নিজে উত্তৰ সাইবেৰিয়ালৈ গৈ ৰাজ্য স্থাপন কৰিলে গৈ, আৰু সেই ৰাজ্য তৃতীয় ব্ৰহ্মলোক নামে খ্যাত হল। তাৰ আচল নাম "দিব" বা "উত্তৰ কুৰু" হল। এই মনুষ্যদেৱতা ইন্দ্ৰ কশ্যপৰ সকলোতেকৈ সৰু পুতেক, মাকৰ নাম দেবজাময়। এই ইন্দ্ৰৰ আলয় "ইন্দ্ৰালয়" বা "বৈজয়ন্তীধাম" নামে জনাজাত। ই ইলাবৃতবৰ্ষত বা মঙ্গোলিয়াত অৱস্থিত। বেদত লিখিছে, "ইলঃ পতিম ঘষা" অৰ্থাৎ হে ইন্দ্ৰ, তুমি ইল অৰ্থাৎ ইলাবৃতবৰ্ষৰ পতি বা শাসনকৰ্ত্তা। স্মাৰ্ত্ত মহৰ্ষি বিষ্ণুৱেও কৈছে যে হে ইন্দ্ৰ, মানস সৰোবৰৰ উত্তৰে নিষধ পৰ্ব্বতৰ পূবফালে তোমাৰ ৰাজধানী বাসবী পুৰী" বম্বৌকস' নামে প্ৰখ্যাত'। যেনে,

"মানসোত্তৰ শৈলে তু পূৰ্ব্বতো বাসবী পুৰী।
বম্বৌকস বা শক্ৰস্য যাস্যা সংযমণী তথা॥ (বিষ্ণুপুৰাণ)

আচাৰ্য্য ভাস্কৰে কৈছে এইখনেই ত্ৰিদশালয়, দেৱসদন বা মহালয় নামে কথিত—যেনে, "ইহহি মেৰুগিৰিঃ কিল মধ্যগঃ কনকৰত্নময় ত্ৰিদশালয়ঃ।"

(সিদ্ধান্তশিৰোমণি—ভুবন কোষাধ্যায়)

কাণ্ঠ নাৰদে কৈছে 'হে ইন্দ্ৰ (স) তুমি মুখ্য স্বৰ্গত অৰ্থাৎ মঙ্গোলিয়াৰ দেৱগৃহত জন্মলৈ ডাঙ্গৰ হৈছা'—"স (ইন্দ্ৰঃ) পৰমে ব্যোমান দেবসাং সদন্যে বৃধঃ" —(ঋক্‌বেদ)



ব্রহ্মদেশ

—শ্রীযুত বাপুৰাম নেওগ

ব্রহ্মদেশক মানৰ দেশ বুলিও আমি কওঁ। আৰু মান দেশ বুলিয়েই ই আমাৰ বিশেষ পৰিচিত। মান দেশৰ প্ৰাচীন ইতিহাস গৌৰৱমণ্ডিত। এসময়ত ই এটা প্ৰৱল পৰাক্ৰমী জাতি আছিল। এই মান ইতৰ পাশৰিক অত্যাচাৰত অসমীয়াৰ গাত এদিন তত নোহোৱা হৈছিল, দেশভুৰি ঘোৰ অশান্তিৰ সৃষ্টি হৈছিল। এবাৰ নহয় দুবাৰ নহয়, তিনিবাৰ অসমত ঘোৰ অশান্তিৰ অগনি জ্বলাই এই মানবিলাকে অসমীয়া জাতিটোক জুকুলা কৰি পেলাইছে, সেয়েহে আজিও অসমীয়াই মুৰ ডাঙি উঠিব পৰা নাই। ভাগ্যক্ৰমে ইংৰাজ সকলৰ আগত বল কৰিব নোৱাৰিলে এই মানসকল এতিয়া ইংৰাজৰ অধীনত আছে। ইংৰাজৰ শাসনত ইহঁতৰ ওপৰত অত্যাচাৰ কৰিব নোৱাৰে। ইংৰাজৰ শাসনত ইহঁতে ভাল পাইছে। ইংৰাজৰ শাসনত ইহঁতে ভাল পোৱাৰ কাৰণেই ইহঁতে ইংৰাজৰ ওপৰত বিদ্ৰোহ কৰিবলৈ সাহস কৰা নাই। ইংৰাজৰ শাসনত ইহঁতে ভাল পোৱাৰ কাৰণেই ইহঁতে ইংৰাজৰ ওপৰত বিদ্ৰোহ কৰিবলৈ সাহস কৰা নাই।



কোৰ্ট বেলে (Court ballet) বোলা এবিধ নাচত এই ব্ৰহ্ম ছোৱালী বিলাকে নতুন ধৰণৰ সাজ পাৰ লৈ নানা অঙ্গি-ভঙ্গিৰে নাচিব লাগিছে।

নহলে আজি অসম দেশ মানৰ দেশহে হলহেঁতেন কিজানি। যিহ'ক বিশদ প্ৰাচীন ঐতিহাসিক আলোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। চমুকৈ এইখিনি উহ্লিওৱা যায় যে এই মান'হত গুবিতে এটা জাতি নহয় আৰু বৰ্ত্তমানেও বৰ্ম্মন (Burman) বা বাৰ্ম্মিজ (Burmese) বিলাকেই অৱশ্য ব্ৰহ্মদেশবাসী নহয় বুলি ঐতিহাসিক সকলে কয়। অৱশ্যে বাৰ্ম্মিজ্ বিলাকেই বেছি সংখ্যক আৰু ছান, কেৱেণ, কচিন, চিন্ পলং বা কমাই আদি জাতৰ মানুহ কম সংখ্যক। "The Burmese are naturally in a majority in Burma, but there are quite considerable blocks of other races, so many that of the total population in the preliminary figures of the 1921 Census out of nearly 13,250,000 something like 9,000,000 were labelled Burmese....." ভাৰতীয় প্ৰৱাদমতে ইয়াওবুত কৰা ১৮২৫-২৬ চনৰ সন্ধীয়েই ব্ৰহ্ম জয়ৰ প্ৰথম সূচনা; তথাপি ভাৰতৰ আন সকলো প্ৰদেশতকৈ বহু পাছতহে ব্ৰহ্মদেশ ইংৰাজৰ হাতলৈ আছে। মুঠতে ব্ৰহ্মদেশ সম্পূৰ্ণকৈ বৃটিশৰ অধীনত অনাত প্ৰায় তিনি কুৰি বছৰ লাগিছিল, আৰু ১৮৮৬ চনতহে খোটেই ব্ৰহ্মদেশ বৃটিশ ভাৰতৰ সম্পূৰ্ণ চামিল কৰি এখন সুকীয়া প্ৰদেশ বুলি পৰিগণিত হয়। এয়ে হ'ল ইংৰাজসকলৰ চমু ব্ৰহ্ম-বিজয় কাহিনী।



ব্ৰহ্মদেশত হাতীবেই কাঠনিব পৰা কাঠ কাঢ়িয়াই নিয়া হয়। ই এটা তাৰেই দৃশ্য।

ভাৰতৰ ভিতৰত আজি ব্ৰহ্মদেশ আটাইতকৈ ডাঙৰ প্ৰদেশ এখন। সুদূৰ পূৰপ্ৰান্তত অৱস্থিত প্ৰকৃতিৰ কামাভূমি। ভাৰতৰ মানচিত্ৰত ই যেন সুন্দৰ এখনি পুষ্ঠোদ্যান (back garden)—অতি লয়লাসে গৈ মহাসাগৰক আলিঙ্গন কৰিছে। আনফালে ভালকৈ লক্ষ্য কৰিলে দেখা যায় ভাৰতৰ মানচিত্ৰত ব্ৰহ্মদেশ শুণ্ডাকৃতি। হাতীও নেকি ইয়াত খুব বেছি পৰিমাণে পোৱা যায় আৰু হাতীৰে ব্ৰহ্মদেশত বহু কাজ কৰি লোৱা হয়, টকা



কাঠ কাঢ়িওৱাত ব্ৰহ্মদেশৰ হাতীবোৰৰ অদ্ভুত দক্ষতা, প্ৰায় মানুহৰ সমান। এই ছবিটো হাতীয়ে নদীৰ পৰা কাঠ তোলা দৃশ্যৰ।

ক্ষত্ৰীয় সকলৰো এই মান দেশত প্ৰভাৱ থকা বুলি জনা যায় আৰু পায়ু (Pyu) নামে ক্ষত্ৰীয়সম্ভূত জাতি এটা এতিয়াও ব্ৰহ্মদেশত থকা বুলি কয়। "There is an Indian tradition of some Kshattriya princes having arrived in what we call Burma by way of Manipur and of their having welded three tribes one called Pyu, into the earliest Burmese State."

Prof, E. H. Parker M.A.
Author of "Burma"

মুঠতে ৩৫ৰ ঢুবৰীয়া বহু দেশৰ মানুহৰ প্ৰভাৱ এই ব্ৰহ্মদেশত আছিল আৰু সেইবাবে বৰ্ত্তমান ব্ৰহ্মদেশত নানা জাতিৰ শাখা প্ৰশাখাৰ উৎপত্তি হোৱা দেখা যায়। এই হ'ল বৰ্ত্তমান ব্ৰহ্মবাসীৰ চমু আভাস। কিন্তু আমি কবলৈ খুজিছো বৰ্ত্তমান ব্ৰহ্মবাসীৰ অৱস্থা কি, স্থানেই বা ক'ত আৰু ভাৰতীয় সভ্যতা আৰু উন্নতি অৱনতিৰ লগত ইয়াৰ সামঞ্জস্য বা বিভিন্নতা কি আৰু তাৰ ফলেই বা কি।

বৃটিশ শাসনৰ তলত ব্ৰহ্মবাসীৰ আজি এশ বছৰবো বেছি হ'ল। ১৮২৬ চনৰ পৰাই ইংৰাজ সকলৰ প্ৰভাৱ ব্ৰহ্মদেশত আৰম্ভ হয়। অৰ্থাৎ মানইতক হকৰাই



ব্ৰহ্মৰ এটা পেগ'দা মন্দিৰৰ এই কাৰুকাৰ্য্যবোৰ কাঠত কটা। কিন্তু ধুনীয়া মিহি সুতাৰে তৈয়াৰী যেন দেখা গৈছে।

পয়চাও উপার্জন হয়। প্রাকৃতিক সম্পদত ব্রহ্মদেশ ভাৰতৰ আটাইতকৈ চহকী বুলি কব পাৰি।

আজি পুৰা এটা শতাব্দিকাল বৃটিশৰ অধীনত থাকি ব্রহ্মদেশবাসীও বৰ্ত্তমান জগতৰ সভ্যতাৰ ভাগ এটি পাইছে। আধুনিক শিক্ষাও ব্রহ্মবাসীৰ মাজত নিচেই কম নহয়। উচ্চ শিক্ষাৰ কাৰণে সুবিধাও ব্রহ্মদেশত ছৈছে। অসমীয়াৰ দৰে ব্রহ্মবাসী কানীয়া নহয়। শিক্ষাৰ গুৰিত যে নিজৰ বিশ্ববিদ্যালয় এটি অতি আৱশ্যকীয় অনুষ্ঠান তাক ব্রহ্মবাসীয়ে ভাল দৰে বুজিছিল—সেইবাবে ১৯২৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ফালৰি কাতি গৈ নিজৰ সুকীয়া বিশ্ববিদ্যালয় কৰি উচ্চ শিক্ষাৰ বিশেষ সুবিধা কৰি লৈছে। আজি সেইবাবে আন আন বহু প্রদেশতকৈ ব্রহ্মদেশৰ শিক্ষিতৰ সংখ্যা বহু বেছি। আন বিষয়তো ব্রহ্মদেশ ভেনেই পিছ পৰা নহয়। ইয়াত সঙ্গীতৰ বিশেষ চর্চ্চা আছে আৰু নিজৰ সুকীয়া সঙ্গীতৰ বহুত উৎকর্ষ সাধন ছৈছে।

আর্থিক অৱস্থা ব্রহ্মদেশবো তিমান ভাল নহয়—অৱশ্যে ইয়াত আন আন প্রদেশতকৈ বহু সুযোগ সুবিধা আছে। ব্রহ্মদেশৰ মাটি—বিশেষকৈ ইৰাৱতী উপত্যকা বৰ উৰ্ব্বৰা, সেইবাবে ধানৰ প্রতি তাত বহুপৰিমাণে হয়। ভাৰতীয় বহির্বাণিজ্যত ব্রহ্মদেশৰ পৰা বপ্তানি হোৱা চাউলেই প্রধান। শতকৰা ৭০/৭২ চাউল অকল ব্রহ্মদেশৰ পৰা



ফালি থোৱা কাঠৰ এটা মুৰ ডাঙ্গি লৈ বেহুকৈ সজাই থৰ লাগিছে।

যায়। ব্রহ্মদেশৰ আর্থিক উন্নতিত তাত হোৱা কাঠ আৰু তেলৰ কাৰখানাই বিশেষ সহায় কৰে। তাৰ আন শিল্প বিষয়ত চুৰট (cheroot) এটা উল্লেখ লব লগীয়া। ব্রহ্মদেশ-বাসীৰে চুৰট খাওয়া যথেষ্ট পৰিমাণে আৰু সেইবাবে তাক তৈয়াৰ কৰিবলৈও খুব ভালকৈ শিকিছে। চুৰট খোৱা প্রথা ব্রহ্মদেশত এটা বিলাসিতা। তিৰোতাবিলাকেও অবাধে চুৰট ধূপি ফুবে, সিও যেন সৌন্দর্য্য সামগ্রীৰ এটা প্রধান অঙ্গ। আৰু এটা বিশেষ লক্ষ্য কৰিব লগা কথা যে ব্রহ্মদেশৰ তিৰোতা বিলাকৰ যথেষ্ট পৰিমাণে স্বাধীনতা আছে। ভাৰতৰ কোনো প্রদেশতে তিৰোতা বিলাকৰ ব্রহ্ম দেশৰ দৰে স্বাধীনতা নাই। আচলতে



পেগোদা উদ্ভৰত ভাওনা দেখুৱাবলৈ ব্রহ্মদেশৰ বাৰনাৰী নাচনী ছোৱালী বিলাকে নাচ শিকোৱা শিক্ষকৰ আগত 'বিহাছেল' দিব ধৰিছে।

তিৰোতাবে পুৰুষতকৈ বহু বেছি ক্ষমতা। তিৰোতাই ইচ্ছামতে বিয়া কৰাব বা বিবাহিত পুৰুষ ত্যাগ কৰিব পাৰে আৰু ই ভাৰতৰ আন প্রদেশৰ দৰে একো বে-আইনি বুলি ধৰা নহয়। সঁচাকৈ প্রাচ্য জগতত ব্রহ্মদেশেই স্ত্রি স্বাধীনতাত একমাত্র উদাহৰণ বুলি কোৱা যায় আৰু সি বৰ সঁচা কথা।



ব্রহ্মদেশৰ পুৰণি ৰাজধনী চাংহাইত ইৰাৱতী নদীৰ তীৰত এটি ধুনীয়া দর্শ্ব-মন্দিৰ।

এইবোৰ খ'ল ব্রহ্মদেশৰ বর্ত্তমান অৱস্থাৰ বিষয় যৎকিঞ্চিৎ। এতিয়া আমাৰ বিশেষকৈ চাব লগীয়া যে ব্রহ্মদেশ আৰু ভাৰতৰ সম্বন্ধ কি। ভাৰতৰ লগত ব্রহ্মদেশৰ নিশ্চয় সম্বন্ধ আছে। আন একো নহলেও প্রথম সম্বন্ধ এক শাসনাধীন, আৰু তাৰ প্রভাৱেই জাতীয়তা গঠনত যে বিশেষ সহায় কৰে ই ধ্রুৱ। তাৰ প্রমাণ আন বহুদেশত পোৱা গৈছে। উদাহৰণ স্বৰূপে জার্ম্মানিকে আজুলিওয়া যায়। কিন্তু আজি ব্রহ্মদেশ ভাৰতৰ শাসনতন্ত্রৰ ভিতৰত নাবাখিব বা নাথাকিব এনে এটি কথাৰ আন্দোলন চলি আছিছে। যুবদীয়া মেজ মেলত নির্ব্বিঘ্নে নিৰাপদে যদি বিষা কথা আলোচনা হৈ আহিছে তেন্তে সি ব্রহ্ম-বিচ্ছেদ। কোনো পক্ষৰ পৰা বিশেষ আসোৱাহজনক কথাই তাত বাধা দি অহা নাই। ব্রহ্মবাসী সকলবো—খুবসম্ভৱ বেছি ভাগবেই—ভাৰ যে ব্রহ্ম তথ্যে ভাৰত হাতীক পানী খোৱাই আহি ভাগৰ লাগিছে গতিকে বিচ্ছেদ বাঞ্ছনীয়। কিন্তু কথাটো কিমান খিনি যুক্তিসঙ্গত সি ভাবি চাব লগীয়া। আন ফালে ভাৰতৰ পক্ষৰ পৰাও ব্রহ্মবিচ্ছেদৰ বিৰহ-ব্যথা অনুভৱ কৰাৰ সম্ভেৰ পোৱা নাযায়, নহলে ই কিবা প্রাণত লগা কথা হলে সিদিনা বঙ্গ-ভঙ্গৰ দৰে আন্দোলন কিয় অলি চুটিলে হেঁতেন। ব্রহ্মদেশক স্বায়ত্ত শাসন লাগে সঁচা আৰু তাক ভাৰতৰ লগত থাকিও পাব পাৰে—বিচ্ছেদৰ বিশেষ কাৰণ নাই। কিন্তু তথাপি যে বিচ্ছেদ-বিস্রাত উঠিছে সি ৰাজদত্ত নে প্রজা-বাঞ্ছিত সেইহে



ছান ষ্টেটৰ কিছুমান পজা ঘৰক 'নগৰ' (বিষদ) বোলে। তাবেই এটি দৃশ্য।

ভাবিব লগীয়া কথা। সিদিনা বিউটাৰত প্রকাশ যে হাউচ্ অব্ কমন্সত মিঃ মেণ্ডাবে বর্ম্মাৰ শাসন পদ্ধতি কেনে ভাৱে কৰা হব বুলি সোধাত স্যাৰ জেমুৱেল হোৱে উত্তৰ দিছিল যে "That the Government had given careful consideration to the subject but until the people of Burma indicated that they desired seperation from India and that a seperate constitution would be required, it would be premature to make any statement regarding the procedure," অর্থাৎ "গৱর্ণমেণ্টে সেই বিষয় যথেষ্ট চিন্তা কৰি চাইছে কিন্তু ব্রহ্মবাসীয়ে ফালৰি কাটিবৈ বেলেগ শাসনতন্ত্র পাবৰ ইচ্ছা নকবালৈকে কেনে ভাৱে চলা হব তাক কোৱাটো বহুত আগবাঢ়ি যোৱা

হব"। ইয়াৰ দ্বাৰা এইটো স্পষ্ট বুজা যায় যে গৱৰ্ণমেণ্টেই এই বিষয় আগবঢ়ুৱা। অথচ এতিয়া লাহেকৈ গা এৰা দিব খোজে। যদি কিবা ভয়ৰ কাৰণ থাকেই তেন্তে ইমানখিনি 'গোলমাল' কৰাৰ কাৰণেই বা কি আছিল।



ব্ৰহ্মদেশৰ বৌদ্ধ মনাষ্টাৰী (monastry) পঢ়াশালিত শিক্ষক আৰু ছাত্ৰ।

আগেয়ে উদ্ধৃকিওৱা হৈছে যে শতাব্দিৰো অধিক কাল ব্ৰহ্মদেশ ভাৰতৰ লগত আছে। সেইবাবে যে অলপ আপোন আপোন ভাব হৈছে ই নিশ্চয়। তাৰ বাহিৰেও আন আন কাৰণ বহুত আছে যি বিলাক উভয় পক্ষৰ পৰা বিশেষকৈ ভাবি চাব লগীয়া। প্ৰথমতঃ ভাৰত গৱৰ্ণমেণ্টৰ আয় ব্যয়ৰ কথা। এতিয়া ভাৰতৰ লগত ৰাখি ব্ৰহ্মদেশ শাসন কৰাত যে কম ব্যয় হয় সি দেখা কথা। যি হ'ক সেইটো গৱৰ্ণমেণ্টে ভালকৈ বুজে। কিছুমান পক্ষত যে ভাৰতৰ ক্ষতি হব তাক দুই কৰিব নোৱাৰি। বিশেষকৈ ব্ৰহ্মদেশৰ লোক সংখ্যা এতিয়াও বহুত কম—সেই দেশৰ সম্পদলৈ (resource) চাই। সেইবাবে তাত ভাৰতৰ আন প্ৰদেশৰ বহু মানুহৰ পেটৰ ভাতৰ ব্যৱস্থা হৈছিল। আৰু ব্ৰহ্মদেশেও ভাৰতৰে মানুহৰ দ্বাৰাই নিজ দেশৰ সম্পদেৰে উন্নতি সাধন কৰিব পাৰিছিল। কিন্তু শাসন তন্ত্ৰৰ বিভিন্নতাৰ লগে লগে মনৰো যে বিচ্ছেদ নঘটিব তাৰ কোনো কাৰণ নাই। আন আন ডমিনিয়ন বোৰৰ দৰে ব্ৰহ্মদেশেও এদিন ভাৰতৰ বিপক্ষে মাইগ্ৰেশ্যন আইন (migration law) কৰি ভাৰতীয় মানুহক যে খেদি দিব দিহা কৰিব ই নিশ্চয়। অকল সেয়ে নহয় ভাৰতীয়



বুদ্ধৰ আন কিছুমান মূৰ্ত্তি

বাণিজ্যৰ বিৰুদ্ধে শুল্ক-প্ৰাচীৰ (Tariff wall) নিৰ্ম্মাণ কৰিবলৈ সজু হব। এইবোৰ মঙ্গল জনক হবনে? ফলত আভ্যন্তৰিণ সভ্যতা শিক্ষা, শিল্প আদিৰ উন্নতিত



পেগু নগৰত থকা বুদ্ধদেৱৰ একে লগে চাৰি শিলা মূৰ্ত্তি।

এইবোৰ ঘোৰ অন্তৰায় হব বুলি আমাৰ বোধ হয়। অৱশ্যে ব্ৰহ্মদেশৰ পক্ষে গলে যদিও ভাল বুলি বিবেচনা হব পাৰে, নগলেও যে বিশেষ ক্ষতি আছে তাকো সঠিক কৈ কব নোৱাৰি। যাতায়াতৰ বিশেষ সুবন্দোৱস্ত নাই বা সহজে নহয় সেইবাবে ব্ৰহ্মদেশে আঁতৰত থাকি থাকি সুকীয়া ভাৱ প্ৰৱন হব পাৰে কিন্তু সেয়ে বিচ্ছেদৰ বিশেষ কাৰণ হবনে? ভাৰতীয় সভ্যতা, ভাৰতীয় শিক্ষা আৰু প্ৰভাৱ সহজে নেওচি যোৱাটো ভাৰত আৰু ব্ৰহ্মদেশ উভয়ৰে ভাবিব লগীয়া কথা যেন লগে।

বিবিধ

—শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন

মানুহ—মহা বিশ্বৰ মাজত, মানুহ এক ধূলি কণিকাৰো ক্ষুদ্ৰ কণিকা। কিন্তু এই ক্ষুদ্ৰ কণিকাৰে কেৰামতালিৰ কোৰ দেখি বিচুৰ্ত্তি মানিব লাগে। মানুহত এতিলমান চেতনাৰ ছাট্ আছে। তাৰে পৰা মানুহে সেই চিৰ চৈতন্যময়ত মিলিবলৈ ধাউতি কৰে। মানুহৰ ভিতৰত যি অকণ চেতনা আছে, তাকে বহলাই নি মহা চেতনাত মিহলি কৰিব লাগে—এয়ে হৈছে মানৱ ধৰ্ম্মৰ মোক্ষ কামনা।

মানুহ মাত্ৰৰে গাত জ্ঞানৰো কিঞ্চিৎ বীজ আছে। তাৰে পৰা কোনোৱে জ্ঞান স্বৰূপ ঈশ্বৰত বিলীন হবলৈ হাবিলাষ কৰিছে। কবিয়ে, শিল্পীয়ে, বা আন কোনো সৌন্দৰ্য্য উপাসকৰ শাৰীৰ লোকে সৌন্দৰ্য্য জ্ঞানৰ কণিকা এটা পায়েই, তাৰে পৰা সেই নিত্য সুন্দৰলৈ লক্ষ্য কৰিছে।

এই দৰেই, সীমাবদ্ধ ক্ষুদ্ৰ মানৱ প্ৰাণে সেই অসীম অনন্ত মহাপ্ৰাণলৈকে লক্ষ্য কৰি না না বাটে চলিব লাগিছে। তাৰে দুই একে আগবাঢ়ি উঠি গৈ, পৰ্ব্বতৰ সৰওখ টিঙ্গৰ পৰা "সোঽহং" বুলি অসীমত মিলি গৈ, এই দেহতে মোক্ষলাভো কৰিব পাৰিছে। এতেকে, এই ক্ষুদ্ৰ কণিকাটোৰো নথৈ শকতি।

মানুহ বোলা প্ৰতি বালিচাহীটোৱেই ভগৱানৰ কিবা একোটা কাম কৰিব লাগিছে। কোনো মানুহকে তেওঁ অনৰ্থকত সৃষ্টি কৰা নাই। কোনো জনৰ কাম, আমি বুজিব পাৰিছোঁ দেখি, লেখত লৈছোঁ; আৰু ইবোৰৰ কাম আমি মনিব পৰা নাই। মহা মহা লোকে মহা মহা কাম কৰি জগতৰ উপকাৰ সাধিছে। তেওঁলোকৰ কাম আমাৰ চকুত নপৰি থাকিব নোৱাৰে; সেই দেখি তাক আমি লেখত ধৰোঁ। কিন্তু, গছতলত শোৱা লেঙ্গুটি পিন্ধা মগনীয়াৰটোৱে জগতৰ কি কৰিছে, তাক আমি ভাবি গুণি বিচাৰি নাপাওঁ। ইয়াৰ কাৰণ এয়ে যে এই ৰহস্যৰ সূক্ষ্মতা বুজিবৰ আমি উপযুক্ত হোৱা নাই।

কিন্তু মগনীয়াৰটোৰ কি কাম, তাক আমি বুজিব নোৱাৰা বাবেই, তাৰ একো আৱশ্যকতা নাই বুলিব নোৱাৰি। আমাৰ বুদ্ধিয়ে ধুকি নোপোৱা কথা বহুত আছে। "There are more things in Heaven and Earth, Horatio, than your philosophy can think of." এখন দেশৰ মানুহবোৰে হেনো, দৌৰাত্ম্য গুচক বুলি কাউৰীবোৰ মাৰি পেলাইছিল; পাচে অলপ দিনৰ মূৰতে, পোক পৰুৱাৰ দৌৰাত্ম্যত তত নেপাই,

আন দেশৰ পৰা কাউৰী আনি মেলি লবহি লগাত পৰিল। এতিয়াও সেই মগনীয়াৰটোৱে জগতৰ কি কাম কৰিছে, তাক কোনে জানিছে ?

মূৰ্ত্তি—মূৰ্ত্তিবাদৰ ভাল বেয়াৰ বিচাৰ কৰাটো এই লেখাৰ লক্ষ্য নহয়। ইয়াত এটা ফিকিৰ আছে ; তাৰ কথাহে কব খুজিছোঁ।

ঈশ্বৰৰ নিৰাকাৰত্ব কোনেও নুই কৰিব নোৱাৰে। কিন্তু আকাৰ বিশিষ্ট মানুহৰ সীমাবদ্ধ মনে নিৰাকাৰ অসীম ঈশ্বৰৰ ধাৰণা কৰাটো টান কাম। তেনে ধাৰণা কৰিব পৰা সকলৰ কথা সুকীয়া। যি সকলে নোৱাৰে, তেওঁলোকৰ কাৰণেহে, মূৰ্ত্তিৰ বিধান—এই কথা মূৰ্ত্তিবাদীয়েও স্বীকাৰ কৰে। তেওঁলোকে "মূৰ্ত্তিপূজাধমাধমঃ" বুলি বচনো মাতে।

সদায় দেখি থকা বস্তু এটা ধৰি লওক। ধৰক—এটা বেল। বেলটো আগত নেথাকিলেও, আমি যদি তাৰ আকাৰটো মনতে কল্পনা কৰোঁ ; আৰু যদি সেই আকাৰৰে আয়তন বঢ়াই বঢ়াই নি থাকোঁতে, শেহত আমি তাৰ পৰিমাণৰ ধাৰণা কৰিব নোৱাৰাত পৰোঁগৈ, তেনে হলে, সেই বেলৰ আকাৰৰ লোপ হৈ পৰে, অৰ্থাৎ সি ইমান ডাঙৰ হৈ পৰেগৈ যে তাৰ আদি অন্ত ধৰিব নোৱাৰি ; আৰু তাৰ কোনো অংশকে দেখি, এইটোৱেই বেল বুলি চিনিব নোৱাৰা হয়। আকাৰ বিশিষ্ট আৰু সীমাবদ্ধ মূৰ্ত্তিও এই অনুক্ৰমেই অসীম নিৰাকাৰত পৰিণত হয়গৈ। এয়ে আচল ফিকিৰ।

মানুহে অনেক বাটেদি ঈশ্বৰৰ ওচৰ চাপে। কোনোৱে জ্ঞানেৰে, কোনোৱে কৰ্ম্মেৰে, কোনোৱে বা ভক্তিৰ বাটে গৈ পৰমানন্দ লাভ কৰে। ভক্তি, স্নেহ আৰু প্ৰেম, এই তিনিও একেটা বস্তুৰে বেলেগ বেলেগ তিনটা অৱস্থা। একেটা বস্তুকে, পাত্ৰ বিশেষত বা অৱস্থা বুজি ভক্তি, প্ৰেম নাইবা স্নেহ বোলা যায়। বিদুৰে কৃষ্ণক লাভ কৰিছিল ভক্তিৰে, যশোদাই কৰিছিল স্নেহেৰে আৰু অৰ্জ্জুন, ব্ৰজবালা আৰু গৰখীয়াবৃন্দই কৰিছিল প্ৰেমেৰে।

প্ৰেম হবলৈ হলে প্ৰথমতে এটি মূৰ্ত্তি বা ৰূপ লাগে। নেদেখা নুশুনা জনলৈ আমাৰ ভক্তিহে হব পাৰে ; কিন্তু স্নেহ বা প্ৰেম হোৱাটো অতি টান। নেদেখা নুশুনা পিতৃসকললৈ আমাৰ শ্ৰদ্ধা বা ভক্তিহে ওপজে ; তাৰ প্ৰেম বা স্নেহ নোবোলে। বাল গোপালৰ ললিত মূৰ্ত্তি নোপোৱা হলে, যশোদাই হিয়া-ভৰা স্নেহৰ সাগৰ কত ঢালিলেহেতেন ? ব্ৰজবালিকাৰ প্ৰেমৰ লতিকাই আবৰি ধৰিবলৈকো মদনমোহনৰ মোহন মূৰ্ত্তিৰ প্ৰয়োজন হৈছিল। সেই দেখিয়েই পৰমাত্মাত আত্মসংযোগ কৰিব পাৰিও, চৈতন্যই "ৰাধাকৃষ্ণ" আৰু ৰামকৃষ্ণই "মা মা" বুলিহে হেপাহ পলাই তৃপ্তি পাইছিল।

মূল কথা হ'ল—প্ৰেমৰ বাটেৰে ঈশ্বৰলৈ আগবাঢ়িবলৈ মূৰ্ত্তিৰ কল্পনা লাগে। কিন্তু এই কল্পনাও টান কাম। এইখিনিতে মূৰ্ত্তিবাদীয়ে দেখা পায় যে, নিৰাকাৰক প্ৰেম বিলোৱাটো যেনে টান কাম, মনৰ জোখাৰে আৰাধ্য মূৰ্ত্তিৰ আকৃতি কল্পনা কৰাটোও তেনে প্ৰকাৰৰে দুৰূহ কাৰ্য্য। বিধাতায়ো সকলো সৌন্দৰ্য্যৰ একো তিলেৰেহে তিলোত্তমাৰ কল্পনা কৰিব পাৰিছিল। তেনে স্থলত ক্ষুদ্ৰ মানৱৰ সীমালগা মনে অসীম কৰুণাৰ, অসীম শক্তিৰ অসীম সৌন্দৰ্য্যৰ মহা সমাবেশ কৰি, সেই অচিন্ত্য মূৰ্ত্তিৰ কেনেকৈ কল্পনা কৰে ? এইখিনিতে মূৰ্ত্তিবাদীৰ পেপুৱা লাগে।

(ক্ৰমশঃ)

মোৰ সোৱঁৰণী

(তৃতীয় বছৰৰ 'আৱাহন'ৰ ৮ম সংখ্যাত ওলোৱাৰ পাচৰপৰা)

—ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা

চাকৰী জীৱনৰ আৰম্ভণ।—বাহিৰত ৰাজহুৱা সভা-সমিতি সংগঠনাদি জাতীয় অনুষ্ঠানত দেহ-মন লগাই উফৰি ফুৰিছিলোঁ বুলিও, ভিতৰি মই মোৰ সেই সাময়িক জীৱনৰ আচল কৰ্ত্তব্যলৈ পাহৰা নাছিলোঁ ; মই ঘৰতে ছাত্ৰহিচাপে ওকালতি পৰীক্ষাৰ নিমিত্তে সাজু হোৱাৰ অভিপ্ৰায়ে আইন অধ্যাপনাত একাণপতীয়াকৈ লাগি আছিলোঁ। তাৰ কাৰণে মোৰ সময় নিৰ্দ্ধাৰিত আছিল। ওপৰঞ্চি সময়খিনি মাথোন মোৰ দুৱলীয়া কৰ্ত্তব্য পালনত নিয়োজিত হৈছিল ; যেনে, গুটি-গুটি কবিতা ৰচনা কৰা, বাতৰি কাকত আৰু আলোচনী কাকতলৈ প্ৰবন্ধ লিখা, পঢ়াশলীয়া পাঠ্যপুথি প্ৰণয়নৰ অৰ্থে সমল সংগ্ৰহ কৰা, সভা-সমিতি আদিলৈ বক্তৃতাদিৰ চিন্তালোচনা কৰা, অসমীয়া ভাষাক বঙ্গলাৰ অপভ্ৰংশ বোলোঁতাবিলাকৰ উক্তি ওফৰাবলৈ যুক্তি জুকিয়াই লোৱা ইত্যাদি। এই একে সময়তে মই সাহিত্যিক, সামাজিক আৰু ৰাজনৈতিক কাৰ্য্যালোচনাত সমানে মনোনিবেশ কৰি চলিছিলোঁ। এই তিনি বিষয়ত সেই কালত মোৰ মনত এনেদৰে ৰাপ্ ৰহিছিল যে সেইবোৰ বিষয়ক চিন্তালোচনাই মোৰ ৰং-ধেমালিৰ মাজেদিও সৰকিবলৈ সন্ধি পাইছিল। সেই প্ৰসঙ্গত সেই কালৰ অসমীয়া ৰাইজৰ নিৰ্জ্জু প্ৰকৃতিয়ে মোৰ মনত আনন্দও বঢ়াইছিল, বিষাদো লগাইছিল। আনন্দ বাঢ়িছিল এই বাবে যে, সজ বাট সৰলভাৱে পোনাই দেখুৱালে অসমীয়া ৰাইজে আগ্ৰহেৰে সেই বাটে বাট লয় ; বিষাদ লাগিছিল এই বাবে যে, বিদেশী আৰু আনপ্ৰদেশী লোকৰ দমননীতিৰ সিবিলাক সহজ শৰণীয়া। বিশেষকৈ সেই কালৰ ৰঘুমলা সদৃশ বঙ্গালী প্ৰবাসীৰ সিবিলাক বৰ বশ আছিল ; আনকি বৃটিচ ৰাজকৰ্ম্মচাৰী তকৈ বঙ্গালী বিষয়ালৈ সিবিলাকে অধিক ভয় কৰিছিল। আজিকালি যেনেকৈ কিছুমান ভণ্ড দেশাহতৈষীয়ে বৃটিচ্ বিষয়াদিৰ আগত অৰ্থশূন্য 'হয়' 'হয়' কৰি ক্ষুদ্ৰ স্বাৰ্থ সিদ্ধি কৰি, গুটীয়াকৈ টনকিয়াল হবলৈ উদ্দেশ্য ৰাখি চলে, তেতিয়া বঙ্গালী বিষয়াৰ ওচৰত সেই বিধৰ অসমীয়াই সেই আচৰণেৰে সেই উদ্দেশ্যলৈ লক্ষ্য ৰাখি চলিছিল ; এনে কি, বঙ্গালীৰ আগত 'বঙ্গালী' বুলিবলৈকো অসমীয়াই অপৰাধ লগোৱা যেন জ্ঞান কৰিছিল। অসমীয়া সমাজৰ তেনেকুৱা নিস্তেজ অৱস্থাত নিজৰ জাতীয় সাহিত্যৰ উন্নতি চৰ্চ্চা কৰে কেনেকৈ ! সেই কাৰণে হে মই মোৰ শিৱসাগৰীয়া আৰু লক্ষীম্পুৰীয়া সাহিত্যসেৱক লগৰীয়া বান্ধৱ বৰ্গৰেসৈতে লগলাগি অ, ভা, উ, সা সভাৰ শাখা ভিন্-ভিন্ কেন্দ্ৰত বঢ়াবলৈ যত্ন কৰোঁতে কোনো-কোনো অসমীয়া বৰমূৰীয়া মানুহৰপৰাও ইতিকিং সহিব লগাত পৰিছিলোঁ। তথাপি তেনেকুৱা জাতীয় দুৰৱস্থালৈকো আওকাণ কৰি, মই উত্তৰ লক্ষীম্পুৰত বাস কৰা সেই সময়ত, মোৰ সাহিত্য চৰ্চ্চা অবাৰিতভাৱে চলাইছিলোঁ, বিশেষকৈ মোৰ সুযোগ্য লগৰীয়া সাহিত্যিক ৺পানীন্দ্ৰনাথ গগৈদেৱৰ সহযোগিতাৰ বলত। আচলতে ৺গগৈদেৱৰে সৈতে লগ লাগিলেই আমাৰ মাজত সাহিত্যচৰ্চ্চা আপোনা-আপুনি আহি পৰেহি। পিচে, এইভাৱে মনৰ উলাহেৰে ঘৰতে ছমাহমান কটাইছোঁ, এনেতে মই নগাপৰ্ব্বতৰ কহিমা গৱৰ্ণমেণ্ট ইংৰাজী স্কুলৰ হেডমাষ্টৰৰ পদত অযাচিতে নিযুক্ত হওঁ। অযাচিতে বুলিছোঁ এই বাবে যে, মই কলিকতাৰপৰা উলটি অহাৰ অলপ পাচতে মোৰ সেই

আন দেশৰ পৰা কাউৰী আনি মেলি লবহি লগাত পৰিল। এতিয়াও সেই মগনীয়াবাটেৰে জগতৰ কি কাম কৰিছে, তাক কোনে জানিছে?

মূৰ্ত্তি—মূৰ্ত্তিবাদৰ ভাল বেয়াৰ বিচাৰ কৰাটো এই লেখাৰ লক্ষ্য নহয়। ইয়াত এটা কিকিৰ আছে; তাৰ কথাহে কব খুজিছোঁ।

ঈশ্বৰৰ নিৰাকাৰত্ব কোনেও দুই কৰিব নোৱাৰে। কিন্তু আকাৰ বিশিষ্ট মানুহৰ সীমাবদ্ধ মনে নিৰাকাৰ অসীম ঈশ্বৰৰ ধাৰণা কৰাটো টান কাম। তেনে ধাৰণা কৰিব পৰা সকলৰ কথা স্বকীয়া। যি সকলে নোৱাৰে, তেওঁলোকৰ কাৰণেহে, মূৰ্ত্তিৰ বিধান—এই কথা মূৰ্ত্তিবাদীয়েও স্বীকাৰ কৰে। তেওঁলোকে "মূৰ্ত্তিপূজাধমাধমঃ" বুলি বচনা মাতে।

সদায় দেখি থকা বস্তু এটা ধৰি লওক। ধৰক—এটা বেল। বেলটো আগত নেথাকিলেও, আমি যদি তাৰ আকাৰটো মনতে কল্পনা কৰোঁ; আৰু যদি সেই আকাৰবে আয়তন বঢ়াই বঢ়াই নি থাকোঁতে, শেহত আমি তাৰ পৰিমাণৰ ধাৰণা কৰিব নোৱাৰাত পৰোঁগৈ, তেনে হলে, সেই বেলৰ আকাৰৰ লোপ হৈ পৰে, অৰ্থাৎ সি ইমান ডাঙৰ হৈ পৰেগৈ যে তাৰ আদি অন্ত ধৰিব নোৱাৰি; আৰু তাৰ কোনো অংশকে দেখি, এইটোৱেই বেল বুলি চিনিব নোৱাৰা হয়। আকাৰ বিশিষ্ট আৰু সীমাবদ্ধ মূৰ্ত্তিও এই অনুক্ৰমেই অসীম নিৰাকাৰত পৰিণত হয়গৈ। এয়ে আচল ফিকিৰ।

মানুহে অনেক বাটেৰে ঈশ্বৰৰ ওচৰ চাপে। কোনোৱে জ্ঞানেৰে, কোনোৱে কৰ্ম্মেৰে, কোনোৱে বা ভক্তিৰ বাটে গৈ পৰমানন্দ লাভ কৰে। ভক্তি, স্নেহ আৰু প্ৰেম, এই তিনিও একেটা বস্তুৰে বেলেগ বেলেগ তিনটা অৱস্থা। একেটা বস্তুকে, পাত্ৰ বিশেষত বা অৱস্থা বুজি ভক্তি, প্ৰেম নাইবা স্নেহ বোলা যায়। বিদুৰে কৃষ্ণক লাভ কৰিছিল ভক্তিৰে, যশোদাই কৰিছিল স্নেহেৰে আৰু অৰ্জ্জুন, ব্ৰজবালা আৰু গৰুবীয়াবুন্দই কৰিছিল প্ৰেমেৰে।

প্ৰেম হবলৈ হলে প্ৰথমতে এটি মূৰ্ত্তি বা ৰূপ লাগে। নেদেখা নুশুনা জনলৈ আমাৰ ভক্তিহে হব পাৰে; কিন্তু স্নেহ বা প্ৰেম হোৱাটো অতি টান। নেদেখা নুশুনা পিতৃসকললৈ আমাৰ শ্ৰদ্ধা বা ভক্তিহে ওপজে; তাক প্ৰেম বা স্নেহ নোবোলে। বাল গোপালৰ ললিত মূৰ্ত্তি নোগোৱা হলে, যশোদাই হিয়া-ভৰা স্নেহৰ সাগৰ কত ঢালিলেহেতেন? ব্ৰজবালিকাৰ প্ৰেমৰ লতিকাই আৰম্ভি ধৰিবলৈকো মদনমোহনৰ মোহন মূৰ্ত্তিৰ প্ৰয়োজন হৈছিল। সেই দেখিয়েই পৰমাত্মাত আত্মসংযোগ কৰিব পাৰিছ, চৈতন্যই "ৰাধাকৃষ্ণ" আৰু ৰামকৃষ্ণই "মা মা" বুলিহে হেপাহ পলাই তৃপ্তি পাইছিল।

মূল কথা হ'ল—প্ৰেমৰ বাটেৰে ঈশ্বৰলৈ আগবাঢ়িবলৈ মূৰ্ত্তিৰ কল্পনা লাগে। কিন্তু এই কল্পনাও টান কাম। এইখিনিতে মূৰ্ত্তিবাদীয়ে দেখা পায় যে, নিৰাকাৰক প্ৰেম বিলোৱাটো যেনে টান কাম, মনৰ জোখাৰে আধাব্য মূৰ্ত্তি আকৃতি কল্পনা কৰাটোও তেনে প্ৰকাৰবে দুকাহ কাম। বিধাতায়ো সকলো সৌন্দৰ্য্যৰ একো তিলেবেহে তিলোত্তমাৰ কল্পনা কৰিব পাৰিছিল। তেনে স্থলত কুদ্ৰ মানৱ সীমালগা মনে অসীম ৰুকণাৰ, অসীম শক্তিৰ অসীম সৌন্দৰ্য্যৰ মহা সমাবেশ কৰি, সেই অচিন্ত্য মূৰ্ত্তিৰ কেনেকে কল্পনা কৰে? এইখিনিতে মূৰ্ত্তিবাদীৰ পেপুৱা লাগে।

(ক্ৰমশঃ)

মোৰ সোৱঁৰণী

(তৃতীয় বছৰৰ 'আৱাহন'ৰ৮ম সংখ্যাত ওলোৱাৰ পাচৰপৰা)

—ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাঞিবৰুৱা

চাকৰী জীৱনৰ আৰম্ভণ।—বাহিবত বাজহুৱা সভা-সমিতি সংগঠনাদি জাতীয় অনুষ্ঠানত দেহ-মন লগাই উকৰি ফুৰিছিলোঁ বুলিও, ভিতৰি মই মোৰ সেই সাময়িক জীৱনৰ আচল কৰ্ত্তব্যটোলৈ পাহৰা নাছিলোঁ; মই ঘৰতে ছাত্ৰছিচাপে ওকালতি পৰীক্ষাৰ নিমিত্তে সাজু হোৱাৰ অভিপ্ৰায়ে আইন অধ্যাপনাত একাগ্ৰতীয়াকৈ লাগি আছিলোঁ। তাৰ কাৰণে মোৰ সময় নিৰ্দ্ধাৰিত আছিল। ওপৰঞ্চি সময়বিনি মাথোন মোৰ ছৱলীয়া কৰ্ত্তব্য পালনত নিয়োজিত হৈছিল; যেনে, ঘড়ি-ঘড়ি কবিতা বচনা কৰা, বাতৰি কাকত আৰু আলোচনী কাকতলৈ প্ৰবন্ধ লিখা, গ্ৰন্থাশীয়া পাঠ্যপুথি প্ৰণয়নৰ অৰ্থে সমল সংগ্ৰহ কৰা, সভা-সমিতি আদিলৈ বক্তৃতাদিৰ চিন্তাবোলোচনা কৰা, অসমীয়া ভাষাক বঙ্গলাৰ অপভ্ৰংশ বোলোঁতাবিলাকৰ উক্তি ওখবাবলৈ যুক্তি জুকিয়াই লোৱা ইত্যাদি। এই একে সময়তে মই সাহিত্যিক, সামাজিক আৰু বাজনৈতিক কাৰ্য্যালোচনাত সমানে মনোনিবেশ কবি চলিছিলোঁ। এই তিনি বিষয়ত সেই কালত মোৰ মনত এনেদবে বাপ্ বহিছিল যে সেইবোৰ বিষয়ক চিন্তালোচনাই মোৰ বং-দেমালিৰ মাজেদিও সবকিবলৈ সন্ধি পাইছিল। সেই প্ৰসঙ্গত সেই কালৰ অসমীয়া বাইজৰ নিৰ্জ্জু প্ৰকৃতিয়ে মোৰ মনত আনন্দও বঢ়াইছিল, বিষাদো লগাইছিল। আনন্দ বাঢ়িছিল এই বাবে যে, সজ বাট সবলভাবে পোনাই দেখুৱালে অসমীয়া বাইজে আগ্ৰহেবে সেই বাটে বাট লয়; বিষাদ লাগিছিল এই বাবে যে, বিদেশী আৰু আনপ্ৰদেশী লোকৰ দমননীতিৰ সিবিলাক সহজ শবণীয়া। বিশেষকৈ সেই কালৰ বঘুমলা সদৃশ বঙ্গালী প্ৰবাসীৰ সিবিলাক বৰ বশ আছিল; আনকি বৃটিচ বাজকৰ্ম্মচাৰী তকৈ বঙ্গালী বিষয়ালৈ সিবিলাকে অধিক ভয় কবিছিল। আজিকালি যেনেকৈ কিছুমান ভণ্ড দেশাহিতৈষীয়ে বৃটিচ্ বিষয়াদিব আগত অৰ্থশূন্য 'হয়' 'হয়' কবি ক্ষুদ্ৰ স্বাৰ্থ সিদ্ধি কবি, ওটাবাকৈ টনকিয়াল হবলৈ উদ্দেশ্য বাখি চলে, তেতিয়া বঙ্গালী বিষয়াৰ ওচৰত সেই বিষব অসমীয়াই সেই আচবণেবে সেই উদ্দেশ্যলৈ লক্ষ্য বাখি চলিছিল; এনে কি, বঙ্গালীৰ আগত 'বঙ্গালী' বুলিবলৈকো অসমীয়াই অপবাধ লগোৱা যেন জ্ঞান কবিছিল। অসমীয়া সমাজৰ তেনেকুৱা নিস্তেজ অৱস্থাত নিজৰ জাতীয় সাহিত্যৰ উন্নতি চৰ্চ্চা কবে কেনেকে! সেই কাৰণে হে মই মোৰ শিৱসাগবীয়া আৰু লক্ষীমপুৰীয়া সাহিত্যসেৱক লগবীয়া বান্ধৱ বৰ্গবেইসৈতে লগলাগি অ, ভা, উ, সা সভাৰ শাখা ভিন্-ভিন্ কেন্দ্ৰত বঢ়াবলৈ যত্ন কৰোঁতে কোনো-কোনো অসমীয়া বন্ধুবীয়া মানুহবপবাও ইতিকিং সহিব লগাত পবিছিলোঁ। তথাপি তেনেকুৱা জাতীয় হবৱস্থাটলৈকো আওকাণ কবি, মই উত্তৰ লক্ষীমপুৰত বাস কবা সেই সময়ত, মোৰ সাহিত্য চৰ্চ্চা অবাবিতভাবে চলাইছিলোঁ, বিশেষকৈ মোৰ সুযোগ্য লগবীয়া সাহিত্যিক ৺পানীঅলাঞ গাঁগোৱেদৱৰ সহযোগিতাৰ বলত। আচলতে ৺গাঁগোৱেদৱৰে সৈতে লগ লাগিলেই আমাৰ মাজত সাহিত্যচৰ্চ্চা আপোনা-আপুনি আহি পবেহি। পিচে, এইভাৱে মনৰ উগাহেবে ঘবতে ছমাহমান কটাইছোঁ, এনেতে মই নগাপৰ্ব্বতৰ কহিমা গৱৰ্ণমেণ্ট ইংৰাজী স্কুলৰ হেডমাষ্টবৰ পদত অযাচিতে নিযুক্ত হওঁ। অযাচিতে বুলিছোঁ এই বাবে যে, মই কলিকতাবপবা উলাট অহাৰ অলপ পাচতে মোৰ সেই

কালৰ ঘাই হিতাশী অসম শিক্ষাবিভাগৰ ডিৰেক্টৰ মিঃ জে, উইলচন চাহাবক জনাই থোৱা আছিল যে, সেই সময়ত মই ঘৰতে আইন অধ্যয়নত লাগি থাকিম ; সেই আপাহতে, তেখেতে মোক সুধি পঠিওৱাৰ চেও ধৰি মোলৈ সেই পদৰ মকৰলী পত্ৰ এখন আপোন-মনেৰে পঠিয়াই দিয়ে। সেই মকৰলী পত্ৰ পাই মই আনন্দত উকলীকৃত হলোঁ। খন্তেকলৈ মই মোৰ চিৰলগৰীয়া জাতীয় উন্নতি সাধনা বিষয়ক অনুষ্ঠানাদিলৈকো পাহৰাৰ নিচিনা হলোঁ। মোৰ সেই আনন্দ কিন্তু আচলতে মই সেই হেডমাষ্টৰী পদটো পোৱাৰ বাবে নহয়, মোৰ মনমুগ্ধকৰ ঠাই নগাপৰ্ব্বতত গৈ মই পুনৰপি কিভাৱে থিত লমগৈ সেই আনন্দময় কল্পনাত হে মোৰ মন উধাও হৈ উঠিছিল। কিয়নো, সেই কল্পনা সেয়ে নতুন নহয়। আগবাৰ কহিমা এৰি অহা দিন ধৰি সি মোৰ চিৰলগৰী হোৱাত তাৰপৰা শান্তি-সুখ সততে মোৰ অন্তৰৰপৰা নিজৰি নিজৰি বৈ আছিল। পিচে এনেতে, সিটো শৈল শ্বিলঙ্গৰপৰা সেই পদদানৰ সংবাদে আহি সেই সোঁতৰ লোৰত পথালি দি পৰি থকা পাহৰণৰ শিলচপৰা বগৰাই দিয়া মাত্ৰকে সেই মোৰ পৰাণপমোৱা উলাহৰ সোঁত আনন্দ লহৰীৰে সৈতে কলকল্‌কৈ ভৈয়ামলৈ বাগৰি বৈ আহি মোক যেন কৰবালৈ ঢৌৱাই লৈ গলহি !—তেতিক্ষণে সেই সুগহীন নামবৰ হাবি, সেই তথ্যগ্ৰাহী ডিমাপুৰৰ হিড়িম্বা নগৰ, সেই পৰ্ব্বতপাদ 'নীচুগাৰ্ডৰ কুল্‌কুল্‌নিনাদিত ৰুপালি নৈখনি, সেই কহিমা পৰ্ব্বতমালাৰ মাজে মাজে সৌন্দৰ্য্যসমলেৰে বুকুভৰা দীঘলী 'গুহাৱলী' এইবোৰ সুখদৃশ্য এটিৰ পাচত আনটিকৈ মোৰ সোৱঁৰণী-পটত ফট্‌ফটীয়াকৈ জিলিকি উঠিল, মোৰ মনে উত্ৰাৱলভাৱে নগাপৰ্ব্বতমালাৰ টিঙ্গে টিঙ্গে ভ্ৰমিবলৈ ধৰিলে ; স্বৰূপত, সেই খন্তেকৰ নিমিত্তে মই আপোন-পাহৰা হৈ পৰিছিলোঁ। কিন্তু, পিচ-মুহূৰ্ত্ততে অকস্মাতে মোৰ মন আন এটা বিপৰীত ভাবৰ আঁকুহিত লাগি চাঁত্‌কৰে মোকোটা খাই পৰিল, আৰু সেই ক্ষণতে মোক সংকল্পিত ওকালতি পৰীক্ষা দিয়া ভাবে হেচি ধৰিলে। মোৰ মন উগুলথুগুল ভাবত বিমোৰ হৈ পৰিল।—এইভাৱেই দিনদিয়েক পাৰ হল। তাৰ পাচত মোৰ কথা মোৰ গুৰুজন আৰু বন্ধু-বান্ধৱৰ আগত মই ব্যক্ত কৰিলোঁ। তাৰ সমিচাৰ মোৰ ৺পিতৃদেৱতা প্ৰমুখ্যে মোৰ অভিভাবক আৰু অপৰ বন্ধু-বান্ধৱৰপৰা এই বুলি পালোঁ যে গৱৰ্ণমেণ্টে উপযাচি দিয়া সেই পোন্‌প্ৰথম বিষয় বাবটো প্ৰত্যাখ্যান কৰা উচিত নহয় ; বিশেষকৈ যি স্কুলৰ পৰা মই এণ্ট্ৰেঞ্চ মহলাত উত্তীৰ্ণ হৈ কলিকতাৰ উচ্চ শিক্ষালৈ দুৱাৰ মুকলি পাইছিলোঁ, সেই স্কুলৰ হেডমাষ্টৰী বিষয়-বাব পোৱাটো মোৰ পক্ষে সৌভাগ্যৰ হে বিষয়। তাৰোপৰি সিবিলাকে মোক এই বুলি বুজনি দিলে যে, সেই পদ গ্ৰহণ কৰিলেও মোৰ ওকালতি পৰীক্ষা দিয়া লক্ষ্য ভ্ৰষ্ট হোৱাৰ ভয় নাই, কিয়নো শিক্ষকতাৰ কৰ্ত্তব্যৰ লগতে অধ্যাপনালৈকো সুচল পোৱা যাব। ইত্যাদি বুজনিৰ সুৰত মোৰ মন ৰ' লাগিল। তাৰ অলপ পাচতে, আকৌ আনন্দত উধাও হৈ নগা-পৰ্ব্বতৰ উদ্দেশে মোৰ মনে পাখি কোটালিবলৈ ধৰিবে।

দ্বিতীয় বাৰ কহিমা-যাত্ৰা।—যথাসময়ত মই নগা-পৰ্ব্বতৰ উদ্দেশে দ্বিতীয়বাৰ যাত্ৰা কৰিলোঁ। যাওঁতে মোৰ চেমনীয়া কালৰ ৰঙ্গভূমি শিৱসাগৰত ভুমুকি মাৰি যাবলৈ বুলি ঠাইতে সোমালোঁ ;—উদ্দেশ্য, মোৰ ৺চেনেহী বাইদেও আৰু ৺পূজনীয় ভিনীহিদেৱক সেই যাত্ৰাকালৰ সেৱা জনোৱা। এইবাৰ মোৰ ভোলানাথ ভিনীহিদেৱে মোক নিলগতে দেখি খল্‌খলাই হাঁহি পেলালে ; সেই হাঁহিৰ খলখলনিৰ লগে লগে মোৰ অন্তৰে হৰ্ষগদ্‌গদ হৈ ভিতৰি কল্‌কলাবলৈ ধৰিলে। শিৱসাগৰত মুঠেই দুদিনলৈ বৈ গৈ, মোৰ সমনীয়া লগৰীয়া বন্ধুবৰ্গৰ সুখসঙ্গ উপভোগ কৰি উঠি, মই প্ৰফুল্ল মনেৰে কহিমা-যাত্ৰা কৰিলোঁ। যাত্ৰাকালত গোলাঘাটৰপৰা নীচুগাৰ্ডলৈকে এই ছোৱাত বিশেষ পৰিবৰ্ত্তন একো দেখা নাপালোঁ, মাথোন বাটৰ দুয়োফালে ভালেমানলৈকে আগবাৰতকৈ মুকলি, উদং, ৰিঙা-ৰিঙা যেন লাগিছিল। নীচুগাৰ্ড গৈ পোৱা মাত্ৰকে মোৰ মনমোহিনী পুৰণি চিনাকী সেই পৰ্ব্বত-জীয়াৰী সৰু ৰুপালী নৈখনিৰ কল্‌কলনি শুনি মোৰ মন-প্ৰাণ খন্তেকলৈ ৰ লাগিল, তাতে মোৰ আন্তৰিক উলাহেও এটা দম্ ললে। কিন্তু, দুখৰ কথা যে, তাৰপৰা ওপৰছোৱা পৰ্ব্বতীয়া বাটৰ

দুয়োফালে দোৰ্ঘোৰ পৰিবৰ্ত্তনে মোৰ চকুতৃপ্তি ক্ৰমাৎ মাৰ নিয়াবলৈ ধৰিলে। পোন্‌প্ৰথমবাৰৰ যাত্ৰাৰ সেই পৰ্ব্বতীয়া বনবাট, সেই অটব্য অৰণ্য গৰ্ভৰ লুংলুঙ্গীয়া অকোৱা-পকোৱা উঠা-নমা, জিলিয়ে-জাঁ-কৰা, নিজম্ পথ আৰু নাই ; তাৰ সলনি পৰ্ব্বতৰ পাকেপতি ইটাগুৰীয়া ৰঙচুৱা গাড়ী-বাটৰ কৃত্ৰিম শোভাই মোৰ চকুত আমনি লগাবলৈ ধৰিলে। সি যি হওক, মাজে মাজে দীঘলী গুহাৰ কাণে কাণে বিজুলী ৰেখাৰ দৰে বেঁকাবেঁকিকৈ বগাই ক্ৰমাৎ ওপৰলৈ উঠি যোৱা ৰাঙলী মাৰ্গৰ লেজুডালি মোৰ চকুত এটি অভিনৱ আৰু উপাদেয় দৃশ্য যেন অনুভৱ হবলৈ ধৰিলে। সেই লেজুৱা মাৰ্গেদি খাপি-খাপিকৈ স্বৰ্গাৰোহণ কৰি গৈ থাকোতে হাবি-সুৰুঙাইদি দীঘলী গুহাৱলীৰ সুগভীৰ তলিৰ চেঁচা শোভালৈ জুমি জুমি চাই-চায়েই অন্ত নাপাওঁ ; চাই চাই চায়ো আমনি নালাগে, হেঁপাহ নপলায় ! তাৰ লগে লগে, সেই তিনি-চাৰি বছৰৰ ভিতৰত সিমান পৰিবৰ্ত্তন ঘটাৰ কাৰণ কি, তাৰ আঁতিগুৰি ক'ত ইত্যাদি প্ৰশ্নাৱলী মোৰ মনত উজাৰ খাই উঠিল। ভাবি ভাবি পালোঁগৈ যে, সেই কাৰণ আৰু সেই আঁতি-গুৰি ইং ১৮৯১ চনৰ মণিপুৰীয়া ভীষণ বিদ্ৰোহ। মই কলিকতাত প্ৰৱসুৱা ছাত্ৰ হৈ থকাৰ কালত মণিপুৰত এই ৰোমাঞ্চক বিদ্ৰোহ উপস্থিত হয়। তাৰ পৰিণামত অসমৰ চীফ কমিচনাৰ অনৰেবোল মিঃ কুইণ্টন্ আৰু পলিটিকাল এজেণ্ট মিঃ গ্ৰীম্‌উড্‌* চাহাব প্ৰমুখ্যে কেইবাজনো বৃটিচ্ কৰ্ম্মচাৰী বলি পৰে, আৰু তাৰ অৰিহণা স্বৰূপে ইংৰাজী উনৈশ শতিকাৰ অসাধাৰণ বীৰকেশৰী ভাৰত-সন্তান কলিৰ ইন্দ্ৰজিত ৺টিকেন্দ্ৰজিতৰ প্ৰাণাহুতি হয়। সেই মহা আপদীয়া আৰু আহুকলীয়া ভয়ঙ্কৰ বিদ্ৰোহেই সেই নীচুগাৰ্ড-কহিমা-মণিপুৰ গাড়ীবাটক বাটলগাই দি, মোৰ সোৱঁৰণীত প্ৰতিষ্ঠিত পূৰ্ব্বৰ সুখদৃশ্যবোৰৰ চিন্ মাৰি, কৃত্ৰিম ৰংচঙ্গীয়া দৃশ্যাৱলীৰ অৱতাৰণা কৰিলে ! সেই বাটে-বাটেই গৰুগাৰীত চৰি একেৰাহে তিনদিন বাটকুৰি বাই গৈ গৈ কহিমা নগৰত প্ৰৱেশ কৰিলোঁগৈ। সেই দিনাই আবেলি বেলিকা ৺যাদৱচন্দ্ৰ বৰুৱা ৰায়বাহাদুৰৰ টোলত এখন চাহখোৱা মেল পাতি টাউনবাসীয়ে মোক আদৰ-সম্ভাষণ জনায়। সেই মেলত ৺ৰায়বাহাদুৰ যাদৱচন্দ্ৰ বৰুৱা, ৺কেশৱচন্দ্ৰ বৰুৱা চুপাৰিণটেনডেণ্ট, ৺গৌৰীনাথ গগৈ পুলিচ ইন্‌স্পেক্টৰ, ৺ইন্দ্ৰধৰ ৰাজখোৱা খাজাঞ্চি প্ৰমুখ্যে কহিমাপ্ৰৱাসী অসমীয়া সকলোটিয়ে যোগ দিছিল ; সিবিলাকৰ মাজত ৺নবীন চন্দ্ৰ ভট্টাচাৰ্য্য পি-ডব্‌লিউ-ডি একাউণ্টেণ্ট, ৺শৰৎচন্দ্ৰ সেন ডেপুটী কমিচনাৰৰ একাউণ্টেণ্ট প্ৰমুখ্যে বঙ্গালী কেৰাণী ভদ্ৰলোক, গুৰ্খা ৰেজিমেণ্টৰ ৺অৰ্জ্জুন ৰায় চুবাদাৰ মেজৰ, ৺জামালুদ্দিন আহ্মদ চুবাদাৰ, জনদিয়েক মাৰোৱাৰী ভদ্ৰলোক, আৰু ভালেমান নগা দোভাষী উপস্থিত আছিল। কহিমা টাউনবাসীৰ সেই সমাদৰত মই পৰম পুলকিত হলোঁ ; মোৰ ক্ষুদ্ৰ জীৱনৰ সিও এটি মহৎ ক্ষণ, মোৰ জীৱনত ৰাইজৰ আশীৰ্ব্বাদসূচক অভ্যৰ্থনা লাভ কৰা সেয়ে পোন্-প্ৰথম।

৫২৫৭/অ:

কহিমা কাহিনী।—

(ক) কহিমা ইংৰাজী স্কুলৰ হেডমাষ্টৰী।—পিচদিনা ১১ বজাত বাবু ৰামেশ্বৰ সেন হেডমাষ্টৰৰপৰা স্কুলৰ চাৰ্জ্জ চম্‌জি লৈ, তেওঁ খালি কৰি দিয়া আসন গ্ৰহণ কৰিলোঁ। সেই আসনত উপবিষ্ট হওঁতেই মোৰ পৰম পূজনীয় শিক্ষাগুৰুদেৱ ৺চন্দ্ৰমোহন গোস্বামী প্ৰভুলৈ স্মৰণ হল,—এদিন সেই আসন অলঙ্কৃত কৰি সেই গুৰুদেৱে এই শিষ্যক শিক্ষাদান দিছিল। স্কুলৰ চাৰ্জ্জ মোক গতাই দি, ৺ৰামেশ্বৰ বাবুৱে 'হস্তমৰ্দ্দনেৰে' মোৰপৰা এই বুলি বিদায় ললে, "আমি ত যা হওক তিন বৎসৰ পেন্সন খেয়ে চল্‌লাম, এখন কাজ কৰি গিয়ে ; এখন আপ্‌নি পেন্সন খেতে আৰম্ভ কৰুন"। কথাষাৰে মোক বিষমকৈ বিন্ধিলে।

* মিষ্টাৰ গ্ৰীম্‌উড্ এজন ওখমনৰ সৰলচিতীয়া মৰমিয়াল বৃটিচ্ কৰ্ম্মচাৰী আছিল। তেওঁ মোৰ লৰাকালৰ এজন দয়ালু অভিভাৱক স্বৰূপ আছিল। মই উত্তৰলক্ষীমপুৰৰ মজলীয়া স্কুলত পঢ়োতে আৰু তাৰপৰা মজলীয়া ছাত্ৰবৃত্তি পৰীক্ষা দিওঁতে তেওঁ সেই মহকুমাৰ অধিপতি আছিল। সেই সময়ত তেওঁ মোক বৰ মৰম কৰিছিল ; আৰু সেই মহলা দিওঁতে তেওঁ পৰীক্ষাৰ কেন্দ্ৰ তালৈকে নিয়াই দি মোৰ অগ্ৰজ শ্ৰীযুত নীলকণ্ঠ গোহাঞি বৰুৱা, মোৰ সাহিত্যিক বন্ধু ৺পানীন্দ্ৰনাথ গগৈদেৱ আৰু মোক নথৈ উপকাৰ কৰিছিল।

মই ততালিকে বিনীতভাৱে এই কেই-আষাৰ সমিচাৰ দি থলোঁ, "আপুনি পকি সবিল, এই মাটিডোখৰ তিনি বছৰ ভোগ-দখল কৰি থেতি কৰি 'ফচল' জমাৰ নোৱাৰি যায়গৈ এতিয়া ; কিন্তু আপোনাৰ পূৰ্ব্ববৰ্ত্তী বুঢ়া ওজা ৺চন্দ্রমোহন গোস্বামীয়ে দুবছৰীয়া ভোগদখলৰ কালতে, সম্প্রতি অনিশ্চিত হলেও, এই অকামিলা (মোৰ গাঁৱৰ দেখুৱাই) পুলি এটা গজাই থৈ গল। সেই ওজাৰ ছাতৰ হওঁ যদি, প্রভুপাদ মহো সেই খোজৰ চিনে-চিনে খোজ ধৰি, শিক্ষাৰ কঠীয়া সিঁচি শস্য গজাই ওট ধৰাম বুলিছে এই খেতত নামিছোঁহি ; আশীৰ্ব্বাদ কৰিব যেন অনন্ত-পলম মোৰ এই সংকল্প কাৰ্য্যত পৰিণত হয়।" অসমত চাকৰি কৰি বুঢ়া হোৱা ৺বামেশ্বৰ বাবুৰে অসমীয়া কৰ নাজানিছিল বুলিও, বেচকৈ বুজিছিল ; মোৰ সমিচাৰৰ মৰ্ম্ম বুজি, তেওঁ চকু-হাঁহি সঙ্কেতেৰে মোৰ শলাগ লৈ স্কুলপৰা ভাৰগধুৰভাৱে ওলাই ধীৰে ধীৰে তেওঁৰ প্রস্থুৱা বহামুৱা হল। কাকতে-পত্রে চহি লোৱালুইকৈ চার্জ্জ দিয়া-লোৱা হোৱাৰ পাচত, মই স্কুলখনৰ বাজে-ভিতৰে চাই-চিতি তাৰ অৱস্থাটো ভালকৈ বুজি ললোঁ। দেখিলোঁ, হেডমাষ্টৰক এবি স্কুলত মুঠেই তিনিজন শিক্ষক ; –এজন ইংৰাজী পঢ়াশুতা চেকেণ্ড মাষ্টৰ, এজন 'ভার্ণেকুলাৰ' শিক্ষক হেডপণ্ডিত আৰু এজন নগা-লৰাক আদিশিক্ষা দিওঁতা দ্বিতীয় বা নগা-পণ্ডিত। ছাত্রসংখ্যা মুঠেই ৫০ আঠেকুৰিমান ; সেয়ে নগা, গৰ্খালি, দেচোৱালী, মাৰোৱাৰী, বঙ্গালী আৰু অসমীয়া লৰা আৰু কেইটমান ছোৱালীৰে সৈতে পূর্ণ। এই বিবিধ ৰবণীয়া ছাত্রবৃন্দক হেডপণ্ডিতে বিবিধ 'ভার্ণেকুলাৰ,'—অসমীয়া, বঙ্গালী, দেচোৱালী, গৰ্খালী, নাগেৰি—ভাষাত শিক্ষা দিয়ে ; চেকেণ্ড পণ্ডিতে দোভাষীৰ দৰে নগালৰাক মিহলি, বা 'খিচুৰি' অসমীয়া ভাষাৰে আদিশিক্ষা দিয়ে ; চেকেণ্ড মাষ্টৰে গোটেই স্কুলতে ইংৰাজী পঢ়োৱাৰ উপৰি বঙ্গালী লৰাক বঙ্গলা পঢ়ায় ; হেডমাষ্টৰে পঢ়াবলৈ নাযেই ! ৰামেশ্বৰ বাবুৰে বোলে স্কুল-অফিচখন লৈয়ে বহি আছিল। গঠন ব্যৱস্থাটৰ চাই, ৰামেশ্বৰ বাবুৰ পেন্সন পোৱা কথাটো পতিয়াই মোৰ মনে-মনে হাঁহি উঠিল ; কিন্তু তাৰ লগে লগে স্কুলখনৰ গতি-গোত্রৰ গঢ় লগাই লোৱা কার্য্য মোৰ মনত বৰ জটীল বোধ হল। তাৰ পাচত, দিনমিহে আলেখ-লেখ চাই লৈ, স্কুলখন ভৈয়ামৰ স্কুলৰ আৰ্হিলৈ অনাৰ উদ্দেশে কার্য্য হাতত ললোঁ। সেই অর্থে, সেই ইংৰাজী স্কুলৰ কেৱল ছটা ভাষাৰ জৰীয়তে শিক্ষা দিয়া স্থিৰ কৰিলোঁ, ইংৰাজী আৰু অসমীয়া ভার্ণেকুলাৰ। শিতে তাৰ বিৰুদ্ধে তুৰন্তে এটা দোর্ঘোৰ আপত্তি উঠিল,—বঙ্গালী ছাত্রক অসমীয়া ভাষাৰ জৰীয়তে শিক্ষা দিয়াত। কিয়নো, বঙ্গালী অভিভাৱকে সিবিলাকৰ লৰাক অসমীয়াত পঢ়ুৱাব নোখোজে, সিহঁতক বঙ্গলাত পঢ়ুৱাব লাগে। তাতে, চেকেণ্ড মাষ্টৰজন বঙ্গালী হোৱাৰ গতিকে সেই আপত্তি ভিতৰি ঠনধৰি উঠাৰ আভাস পালোঁ। কার্য্যক্ষেত্রত নামিয়েই মই এই বিষম সমস্যাত পৰিলোঁ। কিন্তু সমস্যা মূলবে সৈতে মই অচিনাকী নহয় ; সেই মূল উদ্দেশ্যৰ অর্থে, ছাত্রাৱাসবোৰপৰা আমি অহোপুৰুষার্থ আগেয়েই কৰি আহিছিলোঁ। তথাপি, তাতে গাৰ বল নথটাই, বুদ্ধি কৌশলেৰে তাক ওফৰাবলৈ মই চিন্তালোচনাত ধৰিলোঁ। সেই অর্থে, পোনেই মই ডিৰেক্টৰ মিঃ জে, উইলচ চাহাবলৈ সেই বিষয়ে এখন দীঘলীয়া পত্র লিখিলোঁ ; তাৰ পাচত তেওঁৰপৰা উত্তৰ অহাৰ আগেয়েই ডেপুটী কমিচনাৰ মিঃ ডেভিচ চাহাবৰে সৈতে মৌখিক আলোচনা কৰিলোঁগৈ। অকল অসমীয়া ভার্ণেকুলাৰ কৰাৰ উপকাৰিতা আৰু ওপৰঞ্চি আন ভার্ণেকুলাৰ চলোৱাৰ অপকাৰিতা আৰু তজ্জনিত দোর্ঘোৰ অসুচলৰ বিষয়ে দুয়োজন চাহাবকে বিশদকৈ বুজাই লিখা আৰু কোৱা হল। তাৰ ফলত, ডিৰেক্টৰ আৰু ডেপুটী কমিচনাৰ দুয়ো একে-আষাৰে মোৰ ফলীয়া হোৱাত, মই অবাধে অসমীয়া ভার্ণেকুলাৰ চলাই দিলোঁ। দিলোঁ, কিন্তু তাৰ অৱশ্যম্ভাবী ফলস্বৰূপ তলে তলে মোৰ বিপক্ষ দল এটা মই অযাচিতে সৃষ্টি কৰি ললোঁ।

(খ) কহিমা ইংৰাজী স্কুলত অসমীয়া 'ভার্ণেকুলাৰ'।—তেতিয়াটৈলৈকে কহিমা ইংৰাজী স্কুলখনে কোনো এটা নির্দ্ধাৰিত শ্রেণীৰ স্কুলৰ আৰ্হি লোৱা নাছিল, ই বাহিৰ ব্যৱস্থাত হাইস্কুল, আভ্যন্তৰিক অৱস্থাত মঞ্জলীয়া ইংৰাজী



ধৈর্য্যৰ পৰাকাষ্ঠা

শিল্পী—শ্রীপ্রতাপ চন্দ্র বৰুৱা

স্কুল আৰু স্বৰূপাত্মক ইংৰাজী প্ৰাইমেৰী স্কুল কেইওবিধৰে আহি বা সাঁচত উঠিছিল। মই গৈছেই পোনেই তাক মজলীয়া ইংৰাজী স্কুলৰ গঢ় লগাই লৰোঁগৈ। স্কুলৰ ছাত্ৰবিলাকে বাৰেণ্ড জুৰা ভাষাবে মনোভাব ব্যক্ত কৰিছিল। সেই কাৰণে, সিহঁতক অসমীয়া, বঙ্গালী, গৰখীয়া, হিন্দী, দেচোৱালী, নগা, মণিপুৰী এইবোৰৰ মিহলি এটা বিচিত্ৰ ভাষাৰ জৰীয়তে শিক্ষা দিব লগীয়া হৈছিল। সেই বিচিত্ৰতাই মোক চকুত ধৰকৈ চমক্ লগালে। দেখিলোঁ, সেই শিক্ষাপ্ৰণালী ক্ৰমাৎ শিক্ষকসকলৰো অভ্যাসত পৰিণত হবলৈ ধৰিছে, আৰু তাক সেইভাৱে এৰি দিব পাৰি বা শুধৰোৱাত পলম কৰি ডাঠ্ হবলৈ দিলে, পাচত সেই অভ্যাস শোধন কৰা টান হৈ উঠিবগৈ; সেই ভাবি, মই অনতিপলমে অসমীয়া ভাৰ্ণেকুলাৰ শিক্ষা দিয়াৰ বাব নিজে লৈ অন্যান্য বিষয়বিলাক অন্যান্য শিক্ষকৰ মাজত উপযুক্তাহুদাবে ভগাই দিলোঁ। ঘাইকৈ, নগা লবাবিলাকৰ পাৰ্থমানে নিজাঁজ অসমীয়াবে শিক্ষা দিবলৈ মই মন পাবি লাগিলোঁ। ভৈয়ামৰ আটাইবোৰ স্কুলত ভেতিয়ালৈকে অসমীয়া ভাৰ্ণেকুলাৰ প্ৰচলিত হোৱা নাছিল। অসম উপত্যকা বিভাগৰ সবহভাগ স্কুলত, বিশেষকৈ টাউনৰ স্কুলবোৰত পূৰ্ণমাত্ৰাবে বঙ্গলা ভাৰ্ণেকুলাৰ চলিছিল। তেতিয়ালৈকে তাৰ বিৰুদ্ধে অহোপুৰুষার্থ কৰিও মনোবাঞ্ছা সম্পূৰ্ণকৈ সিদ্ধি কৰিব নোৱাৰি মই মনে মনে সন্তাপ পাই আছিলোঁ; এতিয়া নিজৰ একিয়াৰত পোৱা স্কুলটিত মোৰ সেই বাঞ্ছা সুকলমে পুৰাবলৈ মই এটা ভাল ছেগ পালোঁ। সেই উদ্দেশে, কহিমা মজলীয়া ইংৰাজী স্কুলত তেনেই তলবপৰা নিচেই ওপৰলৈকে আটাইকেইও শ্ৰেণীতে, ইংৰাজী সাহিত্যত বাজে, আটাইবোৰ বিষয়ক পাঠ্যপুথি অসমীয়া কৰিবলৈ ধৰি দেখোঁ যে, এটা বিষয়ত অসমীয়া পাঠ্যপুথি এখনো ওলোৱা নাই কাৰণে, মোৰ সেই বাঞ্ছা সিদ্ধি সম্পূৰ্ণ কৰিবলৈ সম্পূৰ্ণ সমলৰ অভাৱ ঘাটছে। সেই বিষয়টো আছিল ভূগোলবিদ্যা। তেতিয়ালৈকে অসমীয়া ভাষাত কেত্ৰে ভূগোল বিষয়ক পুথি প্ৰচাৰ কৰা নাছিল। গতিকে, সেই অভাৱে হেচি ধৰি মোক বাধ্য কৰি সেই পুথি প্ৰণয়নৰ কাম অনতিপলমে হাতত লোৱালে। সেই অৰ্থে, মই ইংৰাজী ভূগোল কিতাপৰপৰা 'নোট' বা টোকা ধৰি, এহাতে ছাত্ৰক ভূগোল বিষয়ক শিক্ষা দিওঁ, আনহাতে তাকে বহলাই এখন অসমীয়া ভূগোল কিতাপ লিখোঁ। সেই অনুক্ৰমে, মাহদিয়েকৰ মুবত, মই "ভূগোল দৰ্পণ" নামেৰে এখন ভূগোল শিক্ষা বিষয়ক অসমীয়া পাঠ্যপুথি মুদ্ৰিত কৰি উলিয়াই, বাছনিৰ নিমিত্তে "নগাঁও টেক্সটবুক্ কমিটী"লৈ পঠিয়ালোঁ। ভূগোল শিক্ষাৰ অসমীয়া পাঠ্যপুথি এইখনেই প্ৰথম। বৰ সন্তোষৰ কথা, "ভূগোলদৰ্পণ" সোনকালে অসম উপত্যকাৰ স্কুল-পঢ়াশালিৰ পাঠ্যপুথিকপে পুথি-বছা সমিতিয়ে মঞ্জুৰ কৰি পঠিয়ালে। মহো অনতিপলমে তাক কলিকতাত ছপা কৰাই আনি প্ৰচাৰ কৰিলোঁ। বৰ উলাহ লগা কথা যে, আৰু অপ দিনৰ পাচতে, আৰু দুখন ভূগোল কিতাপ অসমীয়া ভাষাত ছপা হৈ ওলাল; তাৰে এখন শ্ৰীযুত কনকলাল বৰুৱাৰ "ভূগোলশিক্ষা" আৰু ইখন ৺পাণিঞ্জনাথ গগৈৰ "অসমীয়া লবাৰ ভূগোল"। এই দুখনো 'অসম টেক্সটবুক কমিটী'য়ে মঞ্জুৰ কৰাত, দুয়োখন "ভূগোলদৰ্পণৰ" ওপৰিকৈ ঠাইে ঠাইে অসমীয়া পঢ়াশালিত প্ৰচলিত হল। তাৰোপৰি, আৰু কিছুমান দিনৰ পাচত "ভূগোল সাৰ" নামেৰে ৺নবেশ্বৰ শৰ্ম্মা প্ৰণীত আৰু এখন ভূগোল বিষয়ক পাঠ্যপুথি অসমীয়াত ওলাল আৰু পঢ়াশালিৰ পাঠ্যপুথিৰ তালিকাৰ ভিতৰত সোমাল। সেই অনুক্ৰমে, এয়ে-সেয়ে, মুঠ্ চাবিখন অসমীয়া ভূগোল কিতাপ একে সময়তে একেবোৰ পঢ়াশালিতে অবিয়া-অবিকৈ চলিবলৈ ধৰিলে। দেখি, বাস্তৱতে বৰ সন্তোষ লাগিল। মোৰ সন্তোষৰ আৰু এটা কথাত বিশেষ হল যে, বাট লগাই দিলেই অসমীয়া সাহিত্যিকে আৰু আগবৈ উঠি অহা গ্ৰন্থকাবে উলাহেবে বাট লয়; আৰু প্ৰতিবন্ধকৰ ভেটা ভাঙ্গি দিলেই কেইওকালৰপৰা অসমীয়াৰ উৎসাহৰ সোঁত কল্‌কল্‌কৈ ব'বলৈ ধবে। এই কথা অকল লিখা-পঢ়া বিষয়তে নহয়, অন্যান্য দেশহিতকৰ বিষয়তো তাৰ পটন্তৰ পাই মোৰ অন্তৰত আনন্দে নধৰা হৈছিল। তাৰ পাচত, দহবছৰমানৰ ভিতৰত, সেই চাবিখন অসমীয়া ভূগোলৰ এখন-এখনকৈ সবি পবি, সদ্যোশেহত "ভূগোলদৰ্পণ" টিকি

ৰৈছিলগৈ। পিচে, চৰ্কাৰ ইচ্ছাময়ৰ ইচ্ছাত, 'যেনে-তেনে-প্ৰকাৰে' সেই বিষয়ক স্কুল-পাঠ্যপুথিৰ কাৰবাৰ চৰ্কাৰী চাকৰিয়াৰ নিমিত্তে 'একচেতীয়া' হৈ পৰিল। আগৰ সেই চাৰিখনৰ এতিয়া অস্তিত্ব আছে, কিন্তু চলন্তি নাই।

(গ) "নীতিশিক্ষা" প্ৰণয়ন।—ভূগোলবিদ্যা বিষয়ক স্কুলীয়া পাঠ্যপুথিৰ অভাৱ পূৰণতে অসমীয়া স্কুলত আন সকলো বিষয়ক আসমীয়া পাঠ্যপুথিৰ অভাৱ মোৰ মনোমতকৈ পূৰ হোৱা নাছিল। মোৰ স্কুলৰ কেইও-শ্ৰেণীতে ৰকম মিলাই চলাবলৈ অসমীয়া সাহিত্য বিষয়ক পাঠ্যপুথিৰ অভাৱ মই বৰকৈ অনুভৱ কৰিলোঁ। বিশেষ, ইংৰাজী আৰু বঙ্গলা সাহিত্যত ওলোৱা নীতি বিষয়ক আৰু ক্ৰমশিক্ষামূলক এলানী বা এটা 'চিৰিজ' অসমীয়া সাহিত্য পুথি নথকাটো চাই থাকিবলৈ মই বৰ টান পালোঁ; আৰু সেই নতুন অভাৱ পূৰাবলৈ মোৰ মনত আকৌ এটা নতুন ধাউতি সোমাল। সেই আপাহতে, আৰু সেই ছেগতে, মোৰ সম্পাদিত আৰু প্ৰচাৰিত "সাহিত্য সংগ্ৰহৰ" নামনাচকৈ অসমীয়া ভাষাত "নীতি শিক্ষা" তিনি ছোৱাৰে সৈতে অসমীয়া পঢ়াশলীয়া সাহিত্য পুথিৰ লানী বা 'চিৰিজ' এটা লিখি উলিয়াবলৈ মই মনতে সংকল্প গ্ৰহণ কৰিলোঁ। কিন্তু, মনৰ সংকল্প মনতে লুকাই নাথাকিল; কিয়নো, সৰুৰেপৰা মোৰ এই এটা দস্তুৰ আছিল যে, মই যেতিয়াই যি কৰিবলৈ মনস্থ কৰোঁ, তেতিয়াই তাক আগধৰি জনসাধাৰণক জানিবলৈ দি লওঁ, মোৰ সংকল্প মনতে পোহনীয়া হৈ নোদোকা হবলৈ মই নিদিওঁ। আৰু, আনপাকে, মোৰ মনৰ সংকল্প বাজ কৰি ৰাইজক জানিবলৈ দিয়াৰ আন এটা অভিপ্ৰায় এই যে তাৰদ্বাৰাই সেই সংকল্প কাৰ্য্যত পৰিণত কৰাটো অপৰিহাৰ্য্য কৰাৰ মানসেৰে মই নিজকে নিজে বান্ধত পেলাই লওঁ। ফলিতাৰ্থত, লিখিম বুলিয়েই "নীতিশিক্ষা" এলানী লিখিবলৈ বুলি মই হাতত কাপ ললোঁ! তাৰ নিমিত্তে, মই তাহানিতে ছাত্ৰবৃত্তি মজলীয়া পঢ়াশালিত পঢ়া পাঠ্যপুথি ৺ যদুনাথ চট্টোপাধ্যায়ৰ "পদ্যপাঠ" ১ম, ২য় আৰু ৩য় ভাগ; ৺ অক্ষয়কুমাৰ দত্তৰ "চাৰুপাঠ" ১ম, ২য় আৰু ৩য় ভাগ; আৰু হাইস্কুলত পঢ়া ৺ চাম্বাৰ্চ "মৰাল ক্লাচবুক" স্মাইলচৰ "ডিউতি" (Duty) : "কেৰাক্টাৰ" (Character) এইবোৰ পুথি আৰ্হি স্বৰূপে মোৰ আগত ললোঁ। সেই উদ্যমৰ ফলস্বৰূপ, মোৰ কহিমা প্ৰবাসৰ দ্বিতীয় বছৰৰ মাজভাগত, "নীতিশিক্ষা"ৰ আদিছোৱা প্ৰণীত, প্ৰচাৰিত আৰু টেষ্টবুক্ কমিটীৰ দ্বাৰাই মনোনীত হৈ, অসম উপত্যকাৰ স্কুলসমূহৰ পাঠ্যপুথিৰ তালিকাভুক্ত হয়; সেই একে উলাহতে নীতিশিক্ষাৰ বাকী দোছোৱাৰ লিখাও খৰতৰ গতিৰে চলিবলৈ ধৰিলে। এই বিষয়ে প্ৰয়োজন অনুসৰি যথাঠাইত ছেগ বুজি আকৌ সুমৰি চোৱা যাব।

(ঘ) "অ, ভা, উ, সা, সভা" প্ৰতিষ্ঠা।—মোৰ স্কুলখন গট লগাই লৈ, তাত নিয়াৰিকৈ অসমীয়া সাহিত্য শিক্ষাৰ যুগুত ব্যৱস্থা কৰি উঠি, বাহিৰত জাতীয় জনসাধাৰণৰ মাজত অসমীয়া জাতীয় সাহিত্যচৰ্চ্চা সুগম কৰাৰ হাবিয়াষেৰে মোৰ কলিকতীয়া কালৰ অভিৰুচি খটাই, "কহিমা অ, ভা, উ, সা, সভা" নামেৰে অসমীয়া সাহিত্যৰ আলোচনা সভা এখন মই যথাসময়ত প্ৰতিষ্ঠা কৰিলোঁ। সেই সভাৰ নিগাজী সভাপতিৰ বাব ৰায় যাদৱচন্দ্ৰ বৰুৱা বাহাদুৰত অৰ্পণ কৰি, মই নিজে সম্পাদকৰ বিষয়-বাব কান পাতি ললোঁ। মাহচেৰেকৰ ভিতৰতে এই সভাখনি এনেভাৱে কাৰ্য্যকৰী হৈ উঠিল যে, বিজনিত ইয়াক ভৈয়ামৰ সভাবিলাকতকৈও মই টনকিয়াল দেখি মোৰ অন্তৰত উলাহ উপচি পৰিল। সেই উলাহতে উতলি মই সভাখনিৰ সৰ্ব্বতোভাৱে উন্নতি সাধিবলৈ বুলি উফৰি ফুৰিছিলোঁ। অৰ্থাৎ, পুৱা-গধুলি সদায় আৰু দেওবৰীয়া আজৰি বতৰত, কহিমাপ্ৰবাসী অসমীয়া কেঘৰৰ ঘৰে ঘৰে ফুৰি, মৌখিক আৰু লিখিত পটন্তৰেৰে উদগনি দি, মই সিবিলাকৰ আন্তৰিক আগ্ৰহ আহ্বান কৰি ফুৰিছিলোঁ। "অসমীয়া ভাষা বঙ্গলাৰ অপভ্ৰংশ" এই জাত-মৰা অপবাদটো নিৰ্ম্মূলকৈ নখণ্ডালে অসমীয়াৰ জাতীয়ত্ব যে অনতিপলমে লোপ পাব, এই বিষয়ক বুজনি-বক্তৃতা মই আমাৰ এই অ, ভা, উ, সা, সভাৰ প্ৰতিবৈঠকতে তন্ময়চিত্তেৰে দিবলৈ ধৰিলোঁ, আৰু মাজে সময়ে সেই বিষয়ক একোখন ৰচনাও পাঠ কৰোঁ। বৰ সন্তোষৰ কথা যে, মোৰ সেই যত্নৰ মই

আশাতীত ফল লাভ কৰিলো, মোৰ সহযোগী অসমীয়া সকলোটিয়ে একেমুঠীয়া হৈ আমাৰ জাতীয় সাহিত্যৰ উন্নতিৰ চৰ্চ্চাত দেহে-কেহে যোগ দিবলৈ ধৰিলে; চমুকৈ একে-আষাৰে কবলৈ গলে, এই বিষয়ত সিবিলাকৰ আন্তৰিক ৰাপ শেহান্তৰত ৰাগিত পৰিণত হলগৈ, সেই জাত যোৱা অপভ্ৰংশ অপবাদটো খণ্ডাবলৈ অ, ভা, উ, সা, সভাৰ সমজুৱাসকলৰ যেয়ে যতে ছেগ পায়, সেয়ে ততে সেই ছেগত তৰ্কযুদ্ধ পতাত অভ্যস্ত হৈ উঠিল; ফলিতাৰ্থত মই আমাৰ সেই বিষয়ক কলিকতীয়া ৰণখন নগাপৰ্ব্বতলৈ তুলি নি তাত 'খনমা-ৰণ'ৰ পুনৰাবৃত্তি কৰিলোগৈ যেন লাগিল। গতিকে, তাৰ অৱশ্যম্ভাবী ফলোদয় স্বৰূপ অসমীয়া-বঙ্গালীৰ মাজত ঘমঘণ্ট এখন বাজি উঠিল। আন হাতে তাৰ দ্বাৰাই মই তলে তলে মোৰ বিপক্ষ বা শত্ৰুপক্ষীয় দলটো শকত কৰি তুলিলোঁ। সেই অসমপ্ৰবাসী বঙ্গালী ভায়াসকলে দেখাই আৰু লুকাই মোৰ অহিতে আগ বঢ়া মই জানিব পাৰিলোঁ। জানি,ময়ো আত্মৰক্ষাৰ আয়োজনেৰে অগ্ৰসৰ হলো। যাতো সেই সময়ত, মোৰ ফালে বৃহস্পতি পোন হোৱাৰ দৰে, সাহিত্যানুৰাগী মিঃ ডেভিচ চাহাব নগাহিলৰ ডেপুটী কমিচনাৰ আৰু মোৰ সৰল হিতাশী মিঃ জে, উইলচন চাহাব অসম শিক্ষাবিভাগৰ ডিৰেক্টৰ আছিল দেখিহে, নহলে সেইখন ৰণত ঠাৱৰিবলৈ মোলৈ টান পৰিলগৈহেঁতেন। কিয়নো, সৰহীয়াৰ মাজত ছাঁতে বাগি দি সৰকিব পাৰিলেও তাকৰীয়াৰ মাজত গা নেদেখাকৈ সাৰিবলৈ টান। গতিকে পাচলৈ আত্মৰক্ষাৰ গুপুত উদ্দেশ্যে মই সাম্যভাব ধৰাটো মোৰ পক্ষে বাঞ্ছনীয় বোধ কৰিলোঁ; আৰু সেই অৰ্থে যাতে "সাপো মৰে, লাঠীও নাভাগে" এই বুদ্ধি-কৌশলেৰে শত্ৰুক জিনিবলৈ মই চিন্তালোচনাত ধৰিলোঁ।

"কহিমা সাহিত্য-সভা"।—এনেতে, এজন বিচক্ষণীয়া দেচোৱালী ব্ৰাহ্মণ কথক পণ্ডিত মণিপুৰেদি ঘূৰি আহি কহিমাত উপস্থিত হলহি। তেওঁ আহি পোনতে মাৰোৱাৰী সমাজৰ গাত গঢ়িলা ললেহি। সেই সমাজৰ জৰীয়তে গোটেই টাউনত জনাজাত হল যে, পণ্ডিতজন এজন সুকথক। তেওঁৰ কথকতা সমজুৱাকৈ শুনিবৰ কাৰণে এটা সুদিহা কৰিবলৈ বুলি 'যাদু চাহা'ৰ (ৰায়বাহাদুৰ যাদৱচন্দ্ৰ বৰুৱা চাহাব) ওচৰত খাটনি পৰিলহি; তেখেতে ঠাইতে সেই খাটনিৰ কাৰ্য্যভাৰ মোৰ গালৈ ঠেলি থলে। মই অসমীয়া, বঙ্গালী, মাৰোৱাৰী, দেচোৱালী, গৰখালী, মণিপুৰী এই কেইবিধ প্ৰবসুৱা সমাজৰ মুখিয়াল লোকসকলৰ লগত কথা-বাৰ্ত্তা পাতি লৈ, সুচলকৈ এঠাইত এসপ্তাহমান সেই কথকৰ কথকতা শুনাৰ যুগুত দিহা লগালোঁ। প্ৰথমতে, কথকতাৰ আসন ৰায়বাহাদুৰৰ টোলতে পাতিবলৈ প্ৰস্তাব উঠিছিল; কিন্তু মোৰ এফেৰি গুপ্ত উদ্দেশ্য সিদ্ধিৰ অৰ্থে মই কৌশল লগাই সেই ঠাই অসমীয়া সমাজৰ কেন্দ্ৰত নাপাতি, বঙ্গালী সমাজৰ মাজত পতালোঁ। গৰকাপ্তানী (P. W. D.) অফিচৰ কেৰাণী পূৰ্ণ বাবুৰ ঘৰত,—তাচ-পাশা খেলাৰ আড্ডাত,—যথা-আড়ম্বৰৰে সৈতে কথকতা আৰম্ভ হল। কথকজন বাস্তৱতে এজন সু-পণ্ডিত। তেওঁ পোনেই শ্ৰীকৃষ্ণৰ আদ্যলীলাৰ ব্যাখ্যা মেলোঁতেই তেওঁৰ কথকতাৰ আকৰ্ষণে টাউনৰ সকলো বিভাগীয় হিন্দু সমাজৰ সমজুৱাক চপাই আনি ঘৰে নধৰা কৰিলে। সেই উৎসাহ একেৰাহে পূৰা এসপ্তাহ সেই কথকী পণ্ডিতে ভাগৱতৰ ঘাই ঘাই কেইবাটাও আধ্যাৰ ৰসাল ব্যাখ্যাৰে সৈতে শ্ৰোতাবৃন্দক মোহিত কৰিলে। মোৰ এই কটুৰ অন্তৰতো ভগবান শ্ৰীকৃষ্ণদেৱৰ অমৰ চৰিত্ৰৰ অঙ্কুৰ এটি পচাই দুপতীয়া কৰিলে। শেহান্তৰত, সাদিনৰ অন্তত, অৰিহণা দি পণ্ডিতদেৱক বিদায়-সম্ভাষণ জনাবলৈ স্থিৰ হয়, আৰু সেই উপলক্ষীয় সম্ভাষণ-বক্তৃতা দিয়াৰ ভাৰ মোৰ মূৰত পৰে। মই সেই ছেগতে মোৰ গুপ্ত উদ্দেশ্য সিদ্ধিৰ অৰ্থে এটি উত্তম উপায় লাভ কৰিলোঁ। সেইদিনা ভিতৰত মানুহ নধৰা হোৱাত ঠাইতে কেণ্টনমেণ্টৰ ৰিজাৰ্ভ বা আছুতীয়া চৰ্কাৰী চাপৰিলৈ (Cantonment Field) ওলাই সকলোটি ঘাহনি মুকলি মজিয়াত বহি সভাখন পাতিলোঁহঁক। সেই জনমণ্ডলীক সম্বোধন কৰি মই সাৰ্ব্বজনিক ভাবৰ এটি দীঘলীয়া বক্তৃতা দিওঁ; সেই বক্তৃতাৰ মাজে মাজে ছেগ বুজি গমক্ দি, মই চমু-চমুকৈ আৰু উজু-উজুকৈ সদৌ ভাৰতীয় ভাষাৱলীৰ উৎপত্তি, স্থিতি, বিস্তৃতি আৰু

পৰম্পৰৰ ভিতৰত সাহিত্যিক সম্বন্ধ বিচাৰৰ ব্যাখ্যাবে সৈতে মোৰ বক্তৃতাটো অলপ বৰম-লগা কবি তুলিব পাৰিছিলোঁ, কিয়নো মূলত তাৰ সৰল সাম্যভাৱৰ ঐশ্বৰিক বলে বল দিছিল। সঁচাকৈ কবলৈ গলে, সেই দিনাৰ দৰে তময় হৈ মই বক্তৃতা দিয়াৰ উদাহৰণ মোৰ সোৱঁৰণীত অতি বিৰল। যি হওক, মধুৰেণ সমাপয়েৎ কবি সন্ধিয়া-পৰত সকলোটি ঘৰাঘৰি হলোঁহেঁক। পিচে, পিচদিনা পুৱাতে গৈ, সেই কালৰ কহিমাপ্রবাসী বঙ্গীয় সমাজৰ সমাজপতি, গড়কাপ্তানী অফিচৰ একাউণ্টেণ্ট, ৺নবীনচন্দ্ৰ ভট্টাচার্য্য মহাশয় মোৰ বহাত উপস্থিত। এওঁৰেই সেই সময়ৰ কহিমাপ্রবাসী বঙ্গালী সমাজৰ ঘাই নেতা। তেওঁ হঠাৎ গৈ উপস্থিত হোৱাত ওপ্ত কাৰণ মোৰ মনত যি গাজিছিল, তাক মনতে ওপুতকৈ থৈ, তেওঁৰ মুখে বেকত কৰাবৰ অভিপ্রায়ে মই সাৱধানে আৰু সুকৌশলেৰে কথা-বার্ত্তা পাতিবলৈ ধৰিলোঁ। সদৌশেহত, সঁচাকৈয়ে, তেওঁৰ মুখেই ওলাই পৰিল যে, সৰ্ব্বজনিন ভাৰতীয় সাহিত্যৰ চর্চ্চালোচনাৰ অৰ্থেও আমাৰ অ, ভা, উ, সা, সভাখনিৰ নিচিনা এখন সভা কহিমাত প্রতিষ্ঠিত হোৱা বাঞ্ছনীয়। মোৰ মনোভাব আৰু আন্তৰিক অভিপ্রায় সেইভাৱে অযাচিতে ওলাই পৰাত মোৰ অন্তৰত উলাহে নধৰা হল। তাৰ পাচত, দুয়ো একেমত হৈ, সেই অর্থে এখন সৰ্ব্বসাধাৰণীয়া সাহিত্য-সভা প্রতিষ্ঠা কৰাৰ উপায় উদ্ভাবন কৰিবলৈ বুলি চিন্তালোচনাত ধৰিলোঁহেঁক। শেহাস্তৰত এই সিদ্ধান্ত হল যে, আমি দুয়ো ঘৰে ঘৰে ফুৰি কহিমাপ্রবাসী সদৌ সাম্প্রদায়িক লোকৰ অভিমত লৈ, এদিন দেওবাৰে 'যাদু চাহা'ৰ টৌলত এখন সৰ্ব্বজনিক মেল চপাব লাগে। সেয়ে হল। সেই মেলত, নবীন বাবু আৰু মই দুয়ো ক্রমে বঙ্গালী আৰু অসমীয়াত দুটা গা তোলা বক্তৃতা দিলোঁহেঁক। ফলিতার্থত এই হলগৈ যে, যিমান সোনকালে পৰা যায়, কহিমা টাউনত "কহিমা সাহিত্য-সভা" নামে এখন সৰ্ব্বজনিক সাহিত্য-সভা প্রতিষ্ঠিত হব লাগে। তদর্থে তেতিয়াই উপস্থিত জনমণ্ডলীৰ প্রতিশ্রুতিৰে সৈতে ১৫০৲ ডেৰহাজাৰ টকাৰ বৰঞ্জনী চহিত উঠিল। তাৰে আগত গৈ, তাৰ লগতে আৰু ডেৰ হাজাৰমান টকাৰ বৰঞ্জনী তুলি, তাৰে দুহাজাৰমান টকা ভাঙ্গি এটা সাহিত্য সভাগৃহ সজাবলৈ আৰু সত্তৰতে এহেজাৰমান টকা মূল্যৰ নানা ভাষাত লিখিত হবেক বিধৰ কিতাপ-পুথি সংগ্রহ কৰি এটি চহকী পুথি-ভৰাল (Library) পাতিবলৈ স্থিৰ হল। মোৰ প্রস্তাৱ আৰু সর্ব্বসম্মতিক্রমে সেই সাহিত্যানুৰাগী গুৰু ৺নবীনচন্দ্ৰ ভট্টাচার্য্য মহাশয়ক সেই সাহিত্য-সভাৰ সভাপতি আৰু উপস্থিত সমস্তৰাৰ সম্মিলিত উমৈহতীয়া প্রস্তাবমতে মোক সম্পাদক আৰু পুথি ভৰালী বা লাইব্রেৰীয়ান মনোনীত কৰা হয়। তাৰ পাচত, যথাসময়ৰ ভিতৰত কেণ্টনমেণ্ট ফিল্ডৰ পছিমে আলিৰ কাষত এটি আহ-বহলকৈ সাহিত্য-মন্দিৰ সজাই লৈ, আদি সভাৰ নিয়ম অনুসৰি পুথিভঁৰাল বৰ সমাৰোহেৰে আৰু বিশিষ্টভাৱে প্রতিষ্ঠা কৰা হয়। তাৰ পাচত, ক্রমাৎ উন্নতি লাভ কৰি সেই সাহিত্য-সভা আৰু সভাৰ পুথি-ভঁৰাল বৰ উনকিয়া হৈ উঠে। সেই চলতে, মই "অ, ভা, উ, সা, সভা" আৰু "সাহিত্য-সভা" দুযোখন সভাৰ সম্পাদকৰ বিষয়বাৰ বৰকৈ পাই, অসমীয়া আৰু বঙ্গালী এই ঘাই আৰু কোৱাদা সম্বন্ধ-দ্বয়ক একেগছি সাহিত্য-সূত্রেৰে বান্ধি, সাহিত্যচর্চ্চাত একোটা কবি, মই কৃষ্ণদেৱৰ কৃপাত সেই মেল খাই অহা শত্রুমুখ জাপখুৱাই থলোঁ। সি আজি দুকুৰি বছৰ আগৰ কথা। এতিয়া তাৰ অস্তিত্ব আছেনে নাই, কিবা, আছে যদি, কি অৱস্থাত আছে, মই ভালকৈ বুজ নাপাওঁ।

—ক্রমশঃ



গৃহলক্ষ্মী

গল্প— —শ্রীযুত চন্দ্রকান্ত বৰকাকতী

—এক—

"এতিয়া আৰু এনেকৈ বহি থাকিলেই হবনে? দিনে দিনে গা নাঠাৰবাত পৰিলহি। ভৰালত ধান কেইটা আছে দেখি, তাকে ইমানদিন সলাই পজবাই থাইছোঁ, সিও টুকাগহি। তাৰ পিছতনো কেনেকৈ তৰিম?"

"মই জানো ভৰা নাই? ভাবিছোঁ। তুমি হাজাবো হ'ক তিৰোতা মানুহ, মোৰ অৱস্থা কেনেকৈ বুজিবা? মইহে জানিছোঁ চাকৰি পোৱা কিমান টান।"

"চাকৰি নাপালে বুলি আৰু অইন উপায় নাই জানো? কতই ঘৰ গৃহস্থি চলাইয়েই থাইছে। আমাৰনো কি নাইকিয়া হৈছে? গৰুয়েই নাইনে মাটিয়েই নাই? সকলো আছে, চলাই থালেই হ'ল। দেউতাৰ দিন কেনেকৈ গ'ল আপুনি দেখা নাই জানো? গাৰঁত নো কোনে তেওঁৰ লগত কেৰ মাৰিব পাৰিছিল? বৰ বৰ চাকৰিৱালাতকৈ দেখোন ভালকৈয়ে থাইছিল। কেইজনে নো পুতেককৈ বি, এ পাছ কৰাব পাৰিছে?"

"কৈছা হয়; দেউতা আছিল আগৰ মানুহ। তেওঁলোকে সেইবোৰ কাম পাৰিছিল, পিছে মই আকৌ সেইবোৰ কাম কৰিব পাৰিলেহে হৈছে। সকতে দেউতা আইৰ মৰমত খিতিঙ্গালি কবি থাওঁতেই গ'ল। ডেকা বাণ্ডলেকে স্কুল কলেজত পঢ়োঁতেই গ'ল। এতিয়ানো ঘৰুৱে সেইবোৰ কামত লাগো কেনেকৈ?"

"এতিয়া আপোনাক মই নিজে হালধন জুবিবলৈ কোৱা নাই নহয়! মুঠতে হালোৱা মৰকীয়া বাৰি চলাই দিবাই থালেই হ'ল। আজি কালিৰ লেখা পঢ়া জনা ল'ৰাবোৰে পৰৰ গোলামি কৰিবলৈকে ভাল পায়, তেওঁ ঘৰ গৃহস্থি চলাই থাবলৈ লাজ বুলি ভাবে। ইফালে আপোনাক পঢ়োৱা ধাৰ ধাৰেই আছে। কোন দিনা কেঞাই মাটি ভেটি নিয়ে তাৰ ঠিক নাই।"

"সেই বুলি মই একে কোবেই খেতি সোপা কৰি ধাৰ মাৰিব নোৱাৰোঁ নহয়! কোনেনো ধাৰ লগাবলৈ দিছিল, মই তেতিয়াই কলেজত নপঢ়োঁ বুলি এৰি আহি দেশৰ কামত লাগিছিলোঁ নহয়, দেউতাক নো আকৌ কিহে পাইছিল, শপত-শাঁতি দি মোক আকৌ কলেজলৈ পঠাবলৈ? ধাৰ লগাই পঢ়ুৱাই মোৰ টেটুতহে সেই সোপা তেওঁ লগাই থৈ গ'ল।"

"লাগিবতো আপোনাৰ টেটুত। কিবা কামবাৰ লগত খবচ কৰিছিল নে? আপোনাৰ লগতে ঘৰৰ, বাহিৰৰ সোপাকে ধেদালে। পঢ়াই শুনাই চকু গজাই দি গৈছে, এতিয়া জীৱিকাৰ বাট উলিয়াই ধাৰধুৰ মাৰক। সেইহে সুপুত্রৰ কাম।"

"তুমি মোৰ টেটুত লাগিছে ইমান বিপদ হৈছে, নহলে এফালে ওচিহে গলোহেঁতেন। মই তেতিয়াই বিয়া নকৰাওঁ, ইমান ঠেং ভৰি এছাৰিও সাৰিব নোৱাৰিলোঁ।"

"থ'ক, থ'ক, আপোনাৰ কথাখন। নিজৰ মন নাথাকিলে কোনোবাই বলেৰে কৰিব পাৰে জানো? বোলো, হোৱঁ ওৰিতনো কেইটা মতাই হেঁচা মাৰি ধৰি আছিল?"

"বাক একা! এতিয়া ছল পাই চাপৰি বজাইছা। দেউতা থকা হলেও এটা কৰিব পাৰিলোহেঁতেন। পিছে তোমাৰ কপাল ভাল।"

"সেইবোৰ কথাবে আমাৰ গা মুজুৰায়। জীৱকেটা তৰিবৰহে এটা দিহা কৰিব লাগে এতিয়া।"

"শুনিছানে, তুমি মোক যিমানেই কোৱা লাগিলে,

চাকৰিৰ বাহিৰে মোৰ অন্য গতি নাই। আৰু এবাৰ শেষ চেষ্টা কৰি চাওঁ, যদিহে এইবাৰো আৰু একো নহয়, তেতিয়া তোমাৰ মতেৰেই চলিম। হাকিম, চৱ্‌ডিপুটী হোৱাৰতো মূৰ মৰিল, স্কুলৰ মাষ্টৰিও পোৱাৰ আশা নাই, অন্যান্য কামৰ ফালেও সেই। মুঠতে বাগিছাৰ ফালেহে এপাক মাৰিবৰ মন, পাৰিলে ৰেলকোম্পানীৰ কাম বিচাৰিও যাওঁ, পিছে যাওঁ যাওঁ কৰিছোঁ হয়, যাওঁৱেইনো কেনেকৈ? হাততো ফুটা কড়ি এটিও নাই, তোমাৰ হাতত কেতিয়াবা কেনেবাকৈ বাকচৰ চুকে কোণে থৈ দিয়া ১০।১২ টকামান ৰূপ নোলাবনে?"

"ক'ৰপৰা ওলাবনো? যি দুপইছা আছিল আপুনিয়েই নি নি ঢুকালে। ভিতৰত এগাল দেউতা আয়ে থৈ যোৱা নাই নহয়—তাকে উলিয়াই দিবলৈ, মই নো এতিয়া কি দিম? আছে মাথোন মোৰ কাণৰ এই থুৰিয়াজোৰ। ইয়াকে এঠাইত বন্ধক থৈ যি পায় তাকে লৈ এফালে যাওক চোন। ঈশ্বৰেনো আমালৈ চকু মেলি নাচাবনে?"

"তুমি বেয়া নোপোৱা জানো ফুল?"

"বেয়া পালে আকৌ ৰক্ষা পৰিলেহে হৈছে। ঈশ্বৰে দিলে এনেকুৱা বস্তু আকৌ আহিব। মাথোন আপুনি ভালে থাওক, ঈশ্বৰে আপোনাৰ এটা দিহা কৰক।"

"উঃ! ফুল! সংসাৰ ইমান কঠিন তাক মই আগেয়ে ভবা নাছিলোঁ।"—ডম্বৰুধৰে হুমুনিয়াহ কাঢ়িলে।

নীৰৱে দুধাৰ চকুলো ফুলৰ দুগালেদি বাগৰি গ'ল।

—দুই—

আইভেটী গাৱঁৰ মনুৰাম শইকীয়া গাৱঁৰ ভিতৰত এজন লেখৰ মানুহ। তেওঁৰ গৃহস্থি জয় জয় ময় ময়। দুটা ভৰালত খুন্দখোৱা ধান, দুগোহালি গৰু, এখুটি ম'হ, তিনি পুৰা মাটিৰ তামোল পাণৰ বাৰী। চাকৰ নাকৰ বান্দী বেটীৰে ঘৰ ভৰা। নাই বুলিও বছৰি কুৰি দেৰকুৰি পুৰা ৰূপিত মাটিৰ ধান পায়। কম হলেও বছৰি দুকুৰি তিনিকুৰি মোন সৰিয়হ, পঁচিশ ত্ৰিশ মোন মাহ, পোন্ধৰ বিশ মোন কলামাহ, দহবাৰ মোন মছুৰ মাহ পায়। গুৰুঘৰীয়া, ৰজাঘৰীয়া ৰাজহ ততহ শোধাঁয়ো পাঁচ ছকুৰি টকা বছৰি সাঁচে। এনেভাৱে মনুৰামে কাকো হাত নপতাকৈ, পাৰিলে লোককহে দুই চাৰি কুৰি ধাৰলৈ দি সুখেৰে দিন কটাইছিল। সন্তান মুঠতে দুটি, এটা ল'ৰা আৰু এটি ছোৱালী। ছোৱালীটি গাভৰু হলত, এঘৰ ভাতে-ভড়ালে খোৱা মানুহৰ ঘৰলৈ উলিয়াই দিলে। ল'ৰাটিয়ে নগৰৰ হাইস্কুলত পঢ়ে, নাম ডম্বৰুধৰ। মাক বাপেকৰ একেটি পো ডম্বৰু সৰুৰেপৰা বৰ আলসুৱা হৈ উঠিছিল। নগৰত থাকোঁতে অইন ল'ৰাই মাহে ১৫৲ টকা খৰচ কৰিলে, ডম্বৰুধৰে কিন্তু বিনা আয়াসে ২০৲ কুৰি টকাকৈ খৰচ কৰিব পাৰিছিল। মুঠৰ ওপৰত সাজ পাৰত ডম্বৰুধৰে সেই স্কুলৰ সকলোকে চেৰ পেলাইছিল। ঘেঁহাই ঘেঁহাই একে শ্ৰেণীতে দুবছৰ তিনিবছৰকৈ ৰৈ জুৰাই শঁতাই কোনো ৰকমে তৃতীয় বিভাগত মেট্ৰিকটো পাছ কৰিলে। বাপেকৰ ইচ্ছা পুতেকক হাকিম কৰা। গতিকে ডম্বৰুধৰক কলেজত পঢ়িবলৈ পঠালে। গুৱাহাটীৰ কলেজেসৈতে ডম্বৰুধৰৰ ৰাহি জোৰা নাহিল। গতিকে জানি থ'ক, কলিকতা। কলিৰ মহা নগৰ কলিকতাত পৰি ডম্বৰুধৰৰ ফেৰ কোনে চায়? থিয়েটাৰ বায়স্কোপ কলিয়ে তেওঁৰ পাছ ভালকৈয়ে ললে। সেই অনুপাতে খৰচৰ কথা আৰু সুধিবই নালাগে। খৰচ পঠোৱাৰ বাহিৰেও মাহেকত দুখন টেলিগ্ৰামৰ অন্ততঃ কম নহয়। কোনোখনত লেখে মোৰ ভীষণ জ্বৰ, ডাক্তৰক দিবলৈ ত্ৰিশ টকা পঠাব, কোনোখনত লেখে, মোৰ Heart disease হবৰ উপক্ৰম হৈছে, এতিয়াই ভাল নকৰিলে, পিছত হাজাৰ চেষ্টাতো ভাল নহব। এনেভাৱে ডম্বৰুধৰে ধীৰে শাঁতে দুবছৰৰ মূৰত, বাপেকৰ বসুমতী বেঙ্কৰ তলি উদং কৰি, কেঞাৰ গোলাত পোন্ধৰ শ টকা ধাৰ লগাই, কোনো মতে চতুৰ্থ বাৰ্ষিক শ্ৰেণীত উপনীত হ'লগৈ।

মাক বাপেকে পুতেকৰ বিয়া পাতিবলৈ আয়োজন কৰিলে। গাৱঁৰে এজনী সুন্দৰী কন্যাৰ লগত ৰাহি জোৰা চোৱালে। ৰাহিজোৰা আহিল ৰাজ জোৰা। ডম্বৰুধৰে গৰমৰ বন্ধত ঘৰলৈ আহি, কথাটো শুনি নকৰাওঁ নথওঁ লগাই দিলে। বাপেক মাকৰ মনত ত্ৰাস লাগিল। আজি কালিৰ ল'ৰাৰ আশয় পোৱা টান।

কিন্তু যেতিয়া গাৱঁৰে মিনাৰামক লগত লৈ ডম্বৰুধৰে

পানী আনিবলৈ যাওঁতে বাটত ফুলমাইক চুৰ কৰি চাই আহিলগৈ তেতিয়া ফুলৰ গোলাপ ফুলৰ নিচিনা ৰঙচুৱা গাল দুখনি দেখি তেওঁৰ আপত্তিৰ বান্ধ সুলকি গ'ল। মিনাৰামৰ হতুৱাই মাক বাপেকক কোৱালে, "বাৰু আমাৰ দিহা কৰক, চৰুক সুধি চাউল বহাব নালাগে, নকৰাই পাৰিবনে?" ইফালে মিনাৰামক খুব সতৰ্ক কৰি দিয়া হৈছিল যাতে তেওঁ কোৱা বুলি, মাক বাপেকক নকয়। ছোৱালী চাই আঙঠি পিন্ধাই আঘোনলৈ বিয়া ঠিক কৰিলে।

আঘোন মাহ পৰিল। ডম্বৰু বোপাও ঘৰ পালেহি। নিৰ্দ্দিষ্ট দিনত অতি ধুমধামেৰে বিয়া হৈ গ'ল। কেদিনমানৰ পিছতে ফুলমায়েও ডম্বৰুধৰৰ অজ্ঞাত আশা পূৰণ কৰিলেহি।

মাক বাপেকৰ লাচনি পাচনি কৰিবলৈ ফুলক এৰি থৈ বি-এ পৰীক্ষা দিবলৈ বুলি কুৰি দিনমানৰ মূৰত ডম্বৰুধৰ কলিকতালৈ ৰওনা হ'ল।

পৰীক্ষা দি উঠাৰ এমাহ পিছতেই মাক ঢুকাল। ডম্বৰুধৰে ততাতৈয়াকৈ ঘৰ পালেহি। মাকৰ আদ্যশ্ৰাদ্ধ সমাপন কৰি, ছদিনমান নৌযাওঁতেই, বাপেক গ্ৰহণী ৰোগত পৰিল। অশেষ চেষ্টা অশেষ চিকিৎসা কৰিও বাপেকক ভাল কৰিব নোৱাৰিলে। বেমাৰ পৰা দিনৰেপৰা ১৭ দিন একেৰাহে অশেষ কষ্ট, ললাট ভুগি, ডম্বৰুধৰক নিঠৰুৱা কৰি, সংসাৰৰ সকলো জঞ্জাল তেওঁৰ মূৰত সঁপি দি মনিৰামে সিপুৰীলৈ গতি কৰিলে। ইয়াকে কয়, বিপদ অকলে নাহে লগৰেহে উজায়, ডম্বৰুধৰৰ গাতো বচনফাঁকি হাতে হাতে ফলিয়ালে। ডম্বৰুধৰৰ সংসাৰত আঁউসীৰ কাল নিশা উপস্থিত হ'ল। কেউফালে হতাশৰ সুৰ তেওঁৰ কাণত বাজিবলৈ ধৰিলে।

ডম্বৰুধৰৰ একমাত্ৰ সুখ দুখৰ ভাগী এতিয়া ফুল। মৰাৰ আগতে বাপেকে একেবাৰেই তাক উদং কৰি গৈছে। বাপেকৰ ক্ৰিয়াকাণ্ড কৰিবলৈ হাতত এটি ফুটাকড়িও নাই। উপায় নাপাই ভড়ালৰ এফাল ধান বেচিহে মৃতকৰ প্ৰেতকৰ্ম্মাদি কৰিব পাৰিলে।

বি-এ পাছৰ খবৰ দুমাহৰ পিছতে ওলাল। ডম্বৰুধৰ পাছ। খবৰ পোৱাৰ লগে লগে ডম্বৰুধৰ চাকৰিৰ অনুসন্ধানত ব্যস্ত হ'ল। পোন প্ৰথমে হাকিম, তাৰ পাছত চবডিপুটি, তাৰ পাছত কো-অপাৰেটিভ ছো'ছাইটীৰ ইন্সপেক্টৰ, আবকাৰী ইন্সপেক্টৰ, পুলিচ চব্‌ইন্সপেক্টৰ, স্কুল মাষ্টৰ অৱশেষত পুলিচৰ এ, এচ, আই এটিৰ পাছত এটিকৈ খালি হোৱা পদৰ কোনোটিৰে প্ৰাৰ্থী হবলৈ বাকী নেৰিলে। কিন্তু ডম্বৰুধৰৰ কপাল। এটি পদো তেওঁৰ ভাগ্যত নিমিলিল। নিমিলিবৰ কথাই। তেওঁ হৈছে ক'ৰ এটা এচুকৰ সাধাৰণ গাৱঁলীয়া মানুহৰ ল'ৰা, নাই তেওঁৰ পাছ ধৰোঁতা, নাই তেওঁৰ ফাৰ্ষ্টক্লাস ফাৰ্ষ্ট হৈ পাছ কৰা বিদ্যা। যাৰ পাছ ধৰোঁতা আছে তেওঁ তৃতীয় বিভাগত পাচ কৰিও চাকৰি পালে। কোনো কোনোৱে আকৌ আই, এ, পাচ কৰিয়েই বি, এ পাচে নেপোৱা চাকৰি পালে। মুঠৰ ওপৰত পাছ ধৰাটোৱেই হৈছে আচল কথা। সেইটোৱেই হৈছে কিটিপ।

দুখে বেজাৰে ডম্বৰুধৰৰ মন দমি গ'ল। হতাশ মনেৰে বছৰেক ঘৰতে বহি থাকিল। লাহে লাহে বাপেকৰ আৰ্জ্জিত গৰু ম'হ এটি এটিকৈ বেচি খাওঁতে তাৰো মূৰ মৰিব লগা হ'লহি। যি'বা ধান কঠাচেৰেক আছিল তাৰো পৰালি পৰিবৰ আগন্তুক হোৱাত ঘৈনীয়েক ফুলে ওপৰত উনুকিওৱা কথাখিনিৰে জীৱনযাত্ৰা নিৰ্ব্বাহৰ কিবা এটা দিহা কৰিবলৈ কৈছে। ইফালে ডম্বৰুধৰে মহাজনৰ খেচ্‌খেচনিত তৎ নাপাই ঘৈনীয়েকৰ কাণৰ থুৰিয়াজোৰকে বন্ধক দি চাকৰি বিচাৰি ওলাল। এইবাৰ কিন্তু তেওঁ গবৰ্ণমেণ্টৰ চাকৰিৰ আশা কৰা নাই। তেওঁ ওলাইছে টি, কোম্পানীৰ কাম, আৰু তাকে নাপালে ৰেল-কোম্পানীৰ কাম, নাইবা অইন-কোম্পানীৰ কাম বিচাৰি।

—তিনি—

জেঠমাহৰ বাৰথৰ কেইটা ডম্বৰুধৰৰ মূৰৰ ওপৰেদি গৈছে, কত দোপাল পিটা বৰষুণত তিতি জুৰুলি জুপুৰি হৈছে, তাৰ অন্ত নাই। অসমৰ ইমূৰৰপৰা সিমূৰলৈ কোনো এখন বাগিছা মাৰিবলৈ বাদ নাৰাখিলে। তথাপি ফুটা কপাল জোৰা খাবৰ আগন্তুক নেদেখিলে। সকলোতে গৈ মাথোন দেখিলে বঙালীৰ প্ৰাদুৰ্ভাৱ। কোনো বাগিছাত

কাম থালি হৈছে এটা, শ'ত শগুণ পবাৰ নিচিনাকৈ হেতা ওপবা কবিছে, ধেৰকুবি চুকুবি বঙালীয়ে। কোনোজন বঙালে নিজক জাহিব কবিছে, মই এম-এ পাচ, কোনোজনে বি-এ পাচ। তাৰ বাহিবে আই-এ পাচ মেট্রিক পাচবতো লেখ জোখেই নাই। মহবীৰ ঘবে ঘবে কেণ্ডিডেট বোজাৰ পালব অন্ত নাই। ব্যর্থ মনোবথ হৈ ডম্বকথব লামডিঙেদি টিটাগঙলৈ গ'ল। সেইখিনি পায়েই ডম্বকথবে মুবে কপালে হাত দিলে। বঙালীৰ বাহিবে তাত মুব ওজিবব অন্তৰ সাধ্য কি! অসম বেঙ্গল বেল কোম্পানীটো যেনিবা বঙালীৰ নিজস্ব সম্পত্তিহে, তাত যেন অইনৰ প্রবেশ কবিবলো অধিকাৰ নাই।

সেই আশাও পবিত্যাগ কবি ডিগবই তেল কোম্পানীৰ কাম বিচাবি গ'ল সেইখিনি পায়েই তেওঁৰ থঙে চুলিব আগ পালেগৈ। তাতো গৈ দেখে সেই অসমীয়াৰ মুখব গবাহ কাঢ়ি থোৱা অঙ্গীণ-পাতকী কেণ্ডিডেটৰ দল। অফিচাবসকলব ঘবে ঘবে বোজাই পব দিয়াৰ নিচিনাকৈ চুজন চাবিজনে থাপ দি আছেই।

দুখে বেজাবে তাব হিয়া উপচি পবিল। বিশেষকৈ নিজব গবাহ বিদেশীয়ে কেনেকৈ কাঢ়ি কাঢ়ি থাইছে তাক ভাবি ভাবি। বিশ্ববিদ্যালয়ব মোহতন্ত্রাত মেতিয়া ডম্বক বিভোৰ হৈ আছিল, তেতিয়া তেওঁ ভাবিছিল নে যে তেওঁবো এনে দিন আহিব বুলি? কালৰ কুটিল গতিত জীৱনব চাকনৈয়া কাৰ কেনে দবে ঘুবিছে, তাক সেই ওপবব জনব বাহিবে কোনে কব? ডম্বকৰে বুজিলে, অসমত অসমীয়াৰ ভাত টুটি আছিছে। শিক্ষিত অসমীয়াৰ আগন্তুক দুৰ্দ্দিনৰ কথা ভাবি ভাবি তেওঁৰ মুব ঘুবি গ'ল। বিদেশীক খেদি কেতিয়া আকৌ সেইবিলাক ঠাই অসমীয়াই অধিকাৰ কবিব পাবিব, কেতিয়া আকৌ অসমীয়া ভাইহঁতব দুবেলা দুগুজ ভাতব সংস্থান হব, কেতিয়ানো অসম আকৌ অসমীয়াৰ হে ঘবে ঘবে বাঙলী বিহব পিঠাপনা, ঘবে ঘবে তাঁত শাল, নেওঠনী যঁতব সাজি নিদ্রিত অসমীয়াক সজাগ কবি তুলিব, ইত্যাদি ভাবব সপোন দেখিবলৈ ধবিলে। প্রায় এমাহ মুবিও একো কবিব নোৱাবি সকলো আশা জলাঞ্জলি দি হতাশ মনেবে ডম্বকথব ঘৰলৈ উভটিল।

—চাবি—

"কিবা সুবিধা কবিব পাবিলেনে?"

"নোৱাবিলোঁ। ফুল নোৱাবিলোঁ। অনর্থক মাথোন তোমাব থুবিয়া জোব হেকৰালোঁ।"

"মই তেতিয়াই আপোনাক নকৈছিলোঁ, চাকবি কবিব নালাগে বুলি।"

"কৈছিলা ফুল কৈছিলা। ইফালে আকৌ মনে মানিলেহে হৈছে। ইমানদিন দেউতাৰ অত টকা পইছা খবচ কবি চাকবিব বিদ্যাকেই আয়ত্ত কবিছিলোঁ। সেই বিদ্যাৰ চাকবিব বাহিবে অন্য গতি নাই। চাকবিব মোহব ডাঙব মোহ। তুমি দুবুজা ফুল। তাতে আমি গোসাঁ জাতি, আমি গোসাঁনী কবি ভাল পাওঁ। ভাল পাওঁবে সেইটো আমাব মজ্জাগত ব্যাধি বৈ পবিছে।"

"থ'ক, থ'ক, আপোনাৰ কথাখন। সসাবব আটাইবোৰ মানুহে চাকবি কবিছে খাইছেনে? চাকবি নো আছে কেইটা, আঙুলিব মুবত লেখিব পবাহে হেওঁ।"

"তাব নিমিত্তেই যে কিমানে হাবাথুবি খাই দুখিয়ে তুমি নাজানা ফুল। কত জমিদাবব ল'বাই জমিদাবীৰ হাব লাখ টকা পায়ো হাকিম, চব্রডেপুটী হবলৈ বিচাবি ফুবে। বিচাবি ফুবে কি, বহুতো ছিলেটৰ ফালব তেনে ভাল মানুহব ল'বা এনেবোৰ চাকবিত সোমাইছে। চাকবিবে কম এনে নহয় যথেষ্ট আছে। কিন্তু সকলো বিদ্যাৰ বিদেশীৰ গ্রাসত। আন কি তুমি শুনি আচবিত হা আমাব যে গাৰঁব ফেদেলাব পুতেক মন্ধন কনিষ্টবল সোমাইছে, এতিয়া সেই কনিষ্টবলব চাকবিতো মেট্রিক পাচ, আই-এ পাচ বঙালী আছি সোমাবলৈ ধবিছে আৰ কেদিনমানব পিছত দেখিবা, আমাব দুখীয়া নিচলা মানুহ কোনোবা কাববাৰ ল'বা কনিষ্টবলত সোমাই দুপইছা পাইছিল, তাবে অন্ততঃ পেটব ভাতকেইটা মুকলি হৈছিল, খাজানা ফেবাকে তেও দিব পাবিছিল লাহে লাহে ভালে মুব মবি আহিল।"

"কি কয়? মেট্রিক পাছ, আই-এ পাছ মানুহ কবিবলত ভর্ত্তি হৈছে? সঁচা নে মিছা?"

"সঁচা ফুল সঁচা। মিছা কবলৈ মোব বাং লগা নাই।"

"আমাব অসমীয়াও সোমাইছে নে, পাছ কবা ল'বা?"

"নাই, এতিয়ালৈকে কোনো সোমোৱা। অসমীয়াব আত্ম-অভিমানটো এতিয়াও দুব হোৱা নাই। অসমীয়াই এতিয়াও একেবাবেই গা এবি দিয়া নাই। পাছে নোসোমাই নো কবিব কি বিহে দিন কাল হৈ আহিছে, তাকে দেখোন কোনোবাই বিচাবিলেও পোৱাব আগন্তুক দেখা নাই, বিদেশীৰ ঠেণাত।"

"মই তেতিয়াই নকৈছিলোঁ চাকবিব আশা এবক বুলি। চাকবি বিচাবি মাথোন অনাহকত ইমান বোব লঘু লাঞ্ছনা। আমাবনো কি নাইকিয়া হৈছে? মাটিবাবী গৰু গাই সকলো আছে। বেচি-কিনি খাই চুকাৰোঁ বুলি এতিয়াও ৩ হাল গৰু কপিত মাটি কুবি পুবা ফবিঙাতলিও ১৸১২ পুবা আছে। তাকে হালোৱা মবকীয়া ধবি চলাওক। যি এবছব কষ্ট হয় হব। সকলোবে কপালত সুখ সমানে লেখা নাই নহয়?"

"বাক তাকে কবোঁ দিয়া। হালোৱা বাক বুজিছোঁ, মবকীয়া নো কাক বুলিছা?"

"আইবে, আপুনিনো ইমান অজলা হ'ংনে? মবকীয়া কাক বোলে তাকে নাজানে। ছিঃ! ছি! ছিঃ!"

"তুমি হাঁহিছা ফুল? মই সঁচাকৈয়ে নাজানোঁ। আগে পিছে তেনে বোব কথাত দুবিলেহে।"

"হয়, হয়, বোলো আৰু কেবছমমান কলিকতাত মণ্ডেনে?"

"পাবিলেনো.....বাৰু ফুল, কলিকতীয়া বিদ্যাই তোমাব ওচবত হাব মানিলে। মবকীয়া কাক বোলে কোৱা।"

"কাক বোলে আৰু, আমাব গৰুবে আমাব পথাৰত বাহ যদি দুখন হাল সিহঁতব পথাৰত বাই লব দুখন, তাকে মবকীয়া বোলে।"

"তেনেহলে সিহঁতক দবমহা দিব নালাগে?"

"কিছব আকৌ দবমহা দিব লাগিব, হিঃ হিঃ হিঃ।"

"এহঃ! নাহাঁহিবাচোন, পিছে মবকীয়ানো ক'ত পোৱা হব?"

"তাকো আৰু মইহে বিচাবি দিব লাগেনে? একেবাবেনো 'হালধনো জোবাবৈ' বুলি নকয় কিয়?"

"হ'ক দিয়া ফুল তুমি দেউতা ভাইব লগত থাকি সাংসাবিক বহুত কথা শিকিছা, দেখিছা, মইতো আৰু দেখা নাই, জনা নাই।"

"বাৰু আপুনি সেইবোব চিন্তা কবিব নালাগে। তাহানি যে আমাব ঘবত হালোৱা মনবব ককাই আছিল, তাব দুটা পুতেকে দুহাল বাব খুজিছে, এহাল তুলাবামে বাব খুজিছে। কালিলৈ বাতিপুৱা তিনিও হাল আমাব পথাবত জোবাব কথা আছে।"

"উঃ! তুমি দেখোন সকলো ঠিকঠাক কবি বখাইছা ফুল। তুমি কম তিবোতা নহয় দেও, এটা মতা মানুহব বুবি দেখোন তোমাব গাতে।"

"কৈছেহে নে আকৌ, মোব সমান বুদিয়ক তিবোতা আছেনে ক'বাত? বাৰু সেইবোব কথা নালাগে, এতিয়া হালোৱা কেটাব লগতেই পথাবত অলপ চকু দিব। নহলে সিহঁতব ইচ্ছামতে কবিবলৈ গলে, সোপাই মিছা হব। সিহঁতব লগতে ইফাল সিফাল কবি ঘুবিলে, সিহঁতেও মনত বং পায়। আগেয়ে দেখা নাই তাহানি দেউতাই হালোৱাব পাছে পাছে কোব থন লৈ কেনেকৈ পথাবলৈ যায়। এতিয়া আপুনি একো কবিব নালাগে মাথোন ইফাল সিফাল কবি থাকিলেই হব।"

"বাৰু যাম দিয়া, নগলে হবনে! চাউলকণা যেনিবা তাবেই হব, পিছে পইছা হব ক'বপবা?"

"তাব পবাই সকলো হব। লাহে লাহে হয়। একেদিনাই আপোনাব ঘব ধনে দানে ভবি পবিবহি লাগে নে? লাহে লাহে ঘবব আগতে নিমথ তেলব এখন দোকানো দিয়ক। ময়ো কাপোব কানি বৈ যি পাৰোঁ চুপইছা উলিয়াও। যি চুপইছা লাভ হয়, সেয়েনো হয় ক'ব পবা।"

"কেনেকৈনো নিমথ তেল বেচিম হে দেও, লাজ লাগে।"

"কিছব বাবে লাজ লাগিব, নিজব কাম নিজে কবি খালে কিহব লাজ। পবব ঘবত কবিবলৈ নাযায় নহয়।

সেই শোৱালকুছীয়া বেপাৰীজন যে আমাৰ ইয়ালৈ মুগাৰ সূতা মুগাৰ কাপোৰ বেচিবলৈ আহে, তেওঁৰ হেনো পুতেক তিনটা, তাৰে দুটা বি-এ পাছ, এজন হেনো আই-এ, পাছ। আটাই কেইটাক বেপাৰতহে লগাইছে হেনো। চাকৰিৰ নামকে লবলৈ দিয়া নাই। বাৰু অইনৰ কথা নালাগে আমাৰ যে ধাৰ আছে সেই মানমল কেঞ্জাৰলৈকে নাচায় কিয়? তাহানি আমি সকতে আমাৰ গাৱঁতে পিঠিত থৈলা লৈ লৈ মাহ সৰিয়হ বুলি ফুৰিছিল। এতিয়া সেই মানমলে মোটৰ নহলে এখোজো নলৰে। এতিয়া চাওক আমাৰ ভাইগতে আকৌ তেওঁৰ ধকৰা হব লগাত পৰিলোঁ। লাহে ধীৰে সকলো কাম কৰি যাওক ঈশ্বৰেনো আমালৈ চকু মেলি নাচাবনে?"

ডম্বৰুধৰৰ চকুৰ পৰা ছাঁটিকৰে চাকৰি কুঁৱলী আঁতৰি গ'ল। তেওঁ বুজিলে দুখৰ পাছতহে সুখ আছে। ফুলক তেওঁৰ এই দুৰ্গম সংসাৰ পথৰ যাত্ৰী স্বৰূপে পাই ধন্য হ'ল।

পিছদিনাপুৱা সকলোৱে দেখিলে ডম্বৰুধৰে কোৰখন কান্ধতলৈ হালোৱাৰ লগে লগে পথাৰলৈ গ'ল। বিস্ময় বিমুগ্ধ নেত্ৰে, বা-বাটকৰা গঞা, ভূঞা সকলোৱে ডম্বৰুধৰৰ কাৰ্য্যকলাপ দেখি স্তম্ভিত হ'ল।

—পাঁচ—

চাৰি বছৰ মানৰ পিছত। ডম্বৰুধৰৰ ভৰাল ধানেৰে উপচি পৰিল। মাহ সৰিয়হো যথেষ্ট ৰকমে ঘৰ সোমাল। বাপেকৰ দিনৰ আঁতৰি যোৱা বান্দী বেটী চাকৰ নাকৰ বোৰো লাহে লাহে ঘৰ চাপিলহি। দোকানৰ কাৰবাৰো ডাঙৰ হৈ আহিল। দোকানৰ মূলধন এতিয়া ১০।১২ হাজাৰৰ কম নহয়। দুজন গোমস্তাও ৰখাইছে। ডম্বৰুধৰৰ সকলো কাম যন্ত্ৰৰ দৰে সুচাৰুৰূপে চলিবলৈ ধৰিলে। কেঞ্জাৰ গোলাৰো ধাৰ মাৰি পৰিষ্কাৰ কৰিলে। ঘৰ-কেইটিও বগাহৈ উঠিল। ফুল-ডম্বৰুৰ ঘৰ পোহৰ কৰি এটি পুত্ৰ সন্তানো জন্ম পালে। এতিয়া ডম্বৰুৰ কেউফালে জয় জয়-ময় ময়। ডম্বৰুধৰৰ কাৰ্য্যকলাপত সেই অঞ্চলৰ শিক্ষিত ডেকাসকলৰ চকু মেলখালে। সকলোৱে স্বাধীন ব্যৱসায়ত লাগি গ'ল। বুদ্ধি পৰামৰ্শদাতা হ'ল ডম্বৰুধৰ।

* * * *

আবেলি পৰত। ফুলে কোলাত নমহীয়া পুত্ৰক লৈ পাছফালৰ বাৰান্দাত বহি অলপ জিৰাইছে। ডম্বৰুও আহি ওচৰতে বহিল।

"ফুল! এতিয়াতো আমাৰ সকলো অভাৱ ঈশ্বৰে লাহে লাহে দূৰ কৰিছেহি। ধাৰ খিনিও মৰিল। তোমাৰ গহনা কেপদহে কৰাই দিবলৈ বাকী আছে। পৰহিলৈ সোণাৰি এটা মাতিছোঁ।"

"নালাগে এখোন, হাতত দুপইছা মান আকৌ গোট খাওকচোন। কালি পৰহি সুদে মূলে প্ৰায় দুহেজাৰ টকা ধাৰ মাৰিছে, ঘৰ কৰিছে, তাৰ ওপৰত গহনা কৰি আকৌ খৰচখন বঢ়াব নালাগে।"

"তুমি নো সদায় শুদা হাত শুদা কাণে থাকিবা নে ফুল? তিৰোতাৰ অলঙ্কাৰ নহলে শোভা নাপায়।"

"কোনে কয় নাপায় বুলি? বাহ্যিক অলঙ্কাৰে তিৰোতাৰ কি হব, তিৰোতাৰ অলঙ্কাৰ হৈছে একমাত্ৰ স্বামী দেৱতা। যি তিৰোতাৰ স্বামী নাই লাখ টকাৰ অলঙ্কাৰেও শোভা দিব নোৱাৰে।"

"ফুল তুমি দেৱী নে মানৱী? তুমি দেৱী, তুমি মানৱী নোহোৱা। তুমি মোৰ গৃহলক্ষ্মী। "ফুলে লাজত তলমূৰ কৰিলে। ডম্বৰুধৰে দুই হাতেৰে ফুলক সাৱটি ধৰিলে. সৰসৰকৈ দম্পতিৰ চকুৰ পৰা আনন্দাশ্ৰু বাগৰি পৰিল।

বম্বেৰ অশান্তি—

যোৱা জেঠ সংখ্যাত বম্বেৰ অশান্তি বিষয়ৰ কেইখনমান ছবি প্ৰকাশ হৈছিল। তাৰ আন কেইখনমান এই সংখ্যাত দিয়া হ'ল।



'ফায়াৰ মেন' বিলাকে জুই নুমাব লাগিছে।



বম্বে গভৰ্ণৰে চাই ফুৰিব লাগিছে।



অশান্তিকাৰী সকলে দোকান লুট কৰি বস্তু বেহানি বাটত উলিয়াই পেলাইছে।



আহত সকলক হাচপাতাললৈ বৈ লৈ যাব লাগিছে।



পুলিচৰ লগত কাজিয়া



বাটত উলিয়াই থোৱা দোকানৰ বস্তু বেহানিত জুই জ্বলি উঠিছে।



পাঠান আৰু পুলিচৰ লগত গণ্ডগোল

কৰ্ম্মবীৰ চন্দ্রনাথ

—শ্রীযুত প্রফুল্লচন্দ্র গোস্বামী

আজি আমি বিজনা বীৰপুৰুষৰ বীৰত্বৰ স্মৃতিপূজা কৰিবলৈ গোট খাইছোঁহঁক সেইজনা পুৰুষে আমাৰ এই দাসত্বৰ যুগতে দাস হৈ জন্ম গ্রহণ কৰিছিল। তেওঁ তেওঁৰ জীৱনত কোনো দিনে কোনো দেশ জয় কৰিবলৈ যুদ্ধযাত্রা কৰাতো নাছিলেই, আনকি তেওঁ কোনো দিনে তৰোৱালো হাতত লোৱা নাছিল ; তথাপি তেওঁ বীৰ, তথাপি তেওঁক আমি বীৰ বুলি পূজা কৰিছোঁ। তেওঁ দেশবিজয়ী যোদ্ধা নাছিল সঁচা, তেওঁ তৰোৱালো ধৰিব নাজানিছিল সঁচা, কিন্তু তথাপি তেওঁ বীৰ আছিল। তেওঁ কৰ্ম্মত আছিল বীৰ, সংযমত আছিল বীৰ, ত্যাগত আছিল বীৰ, সত্যত আছিল বীৰ আৰু স্বদেশপ্রেমত আছিল জলন্ত বীৰ। আজি জননী দাসত্বৰ শৃঙ্খলত বন্দী, আজি জননী পৰপদানত, পৰপদাহত, আজিৰ এই কাঠোৰ নিৰ্ম্মম নিষ্ঠুৰ দুখ চাবলৈ আৰু আজিৰ এই দাসত্বৰ ভীষণ যন্ত্রণা ভোগ কৰিবলৈ তেওঁ আজিৰ এই মহাদুর্ভাগ্যৰ দিনতে জন্মিছিল। জননীক এই দাসত্ব শৃঙ্খলৰপৰা, এই অন্যায় উৎপীড়নৰ পৰা, এই দুৰ্দ্দশাৰপৰা মুক্ত কৰিবলৈ মহাত্মা গান্ধীয়ে কৰা বিশ্বন সত্যৰ নিকপদ্রব অহিংস অপূর্ব্ব যুদ্ধত তেওঁ যোগ দিছিল আৰু তাত যেনে দৰে বিক্রম, সাহ, ত্যাগ আৰু কৰ্ম্ম দেখুৱাইছিল সি আজিৰ এই আমাৰ শৌর্য্যবিহীন, সাহবিহীন, দাসত্বৰ যুগত এক অপূর্ব্ব আৰু মহৎ উদাহৰণ।

স্বদেশক সকলোৱে ভাল পাব পাৰে, স্বদেশৰ মঙ্গলো সকলোৱে ইচ্ছা কৰিব পাৰে কিন্তু স্বর্গীয় চন্দ্র শর্ম্মাৰ দৰে কথাই কামে স্বদেশসেৱক হৈ, জননীৰ দুখ মোচনৰ বাবে দেহৰ সমস্ত শক্তি প্রয়োগ কৰিব পৰা, আৰু বর্ত্তমান ভবিষ্যৎ সকলো স্বার্থ, সুখভোগ ত্যাগ কৰিব পৰা পুৰুষ খুব কমহে আছে। চন্দ্র শর্ম্মা দেশৰ এজন ঢোল বজোৱা নেতা নাছিল সঁচা কিন্তু তেওঁ আছিল জন্মভূমিৰ এজন একনিষ্ঠ সেৱক আৰু দেশমাতৃকাৰ এজন যোগ্য পুত্র। তেওঁৰ নাছিল ভণ্ডামী, নাছিল স্বার্থপৰতা ; তেওঁ আছিল এজন সৰল দেশপ্রেমিক আৰু এজন বাইজৰ দাস। তেওঁৰ ইচ্ছাশক্তি আৰু মনোবল আছিল দুর্জ্জয় আৰু প্রচণ্ড শক্তিসম্পন্ন। বাস্তবিক সেই ক্ষীণকায় দেহটিত যে কি ভীষণ পৰাক্রমী শক্তি নিহিত আছিল তাক ভাবিলে বিস্ময়



ত্যাগমূর্ত্তি চন্দ্রনাথ

মানিব লাগে। যিটো কামতে তেওঁ ধৰিছিল, তাতেই তেওঁ দৃঢ়প্রতিজ্ঞ হৈছিল, তাতেই তেওঁৰ সকলো শক্তি প্রয়োগ কৰিছিল আৰু কৃতকার্য্যতা লাভ কৰিছিল।

বাজহুৱা কামত তেওঁ দদায় আগবঢ়ুৱা আছিল; বাইজৰ মঙ্গল সাধনত, দুখীয়াৰ দুখ-কষ্ট দূৰ কৰাত তেওঁৰ অলপো হেঁপা নাছিল। তেওঁ দহজনৰ মঙ্গলৰ বাবে নিজৰ অমঙ্গলকো আহ্বান কৰিব পাৰিছিল। এফালে যেনেকৈ

তেওঁ দেশৰ উদ্গতিৰ অৰ্থে খাটিছিল, আৰু ৰাজনীতি চৰ্চ্চা কৰিছিল আনফালে তেনেকৈ তেওঁ দেশৰ সাহিত্যৰ উদ্গতিৰ অৰ্থেও নিজে সাহিত্য চৰ্চ্চা কৰিছিল। তেওঁ এজন ৰাজনীতিজ্ঞও আছিল আৰু সাহিত্যিকো আছিল। তেওঁৰ নিচিনা এনে অক্লান্ত কৰ্ম্মী অসমত তো নায়েই ভাৰততো বিৰল।

দৰং জিলাৰ বিহগুৰি মৌজাৰ নিজবিহগুৰি গাৱঁত চন্দ্ৰনাথ শৰ্ম্মাৰ পিতৃদেৱ ৺দণ্ডিনাথ শৰ্ম্মাৰ ঘৰ আছিল। তেওঁৰ পত্নীৰ নাম আছিল ৺কৌশল্যাদেৱী। এওঁলোকৰ ছটি পুত্ৰ আৰু এজনী কন্যা জন্ম হৈছিল, তাৰে চতুৰ্থজন পুত্ৰয়েই চন্দ্ৰনাথ। ১৮১১ শঁকৰ ২৩ আঘোণত তেওঁৰ জন্ম হয়।

সৰুৰেপৰা তেওঁ অতি শান্ত আৰু নিৰ্জ্জু আছিল। স্কুলত তেওঁ এজন পোকা বুদ্ধিৰ ল'ৰা বুলি প্ৰখ্যাত আছিল। আন হাতে ৰাজহুৱা কাম-কাজবোৰতো তেওঁ আগৰণুৱা আছিল। সকলো সভা-সমিতিতে তেওঁ যোগ দিছিল। পাঠ্য কিতাপ কেইখন পঢ়াৰ বাহিৰেও অসমীয়া যত কিতাপ কাগজ ওলায় মানে সকলো সংগ্ৰহ কৰি পঢ়িছিল। তাৰ উপৰিও বঙালী, ইংৰাজী ভাল ভাল কিতাপো বাদ যোৱা নাছিল। স্কুলতে "চেতনা" নামেৰে এখন হাতে লিখা পৰেকীয়া আলোচনী উলিয়াই দক্ষতাৰে চলাইছিল। পিছত গৈ তেওঁৰ অক্লান্ত চেষ্টাৰ ফলত উক্ত নামেৰে এখন অসমীয়া উৎকৃষ্ট মাহেকীয়া পত্ৰিকা ছপা হৈ অসমীয়া সাহিত্যত এটা নতুন যুগ সৃষ্টি কৰিছিল। তেওঁৰ পিতাকৰ আৰ্থিক অৱস্থা শোচনীয় আছিল গতিকে তেওঁ নানান বাধা-বিঘিনি অতিক্ৰম কৰি অতি কষ্টেৰে পঢ়িব লগাত পৰিছিল। কিন্তু তথাপি ল'ৰা চন্দ্ৰনাথে ল'ৰা অৱস্থাতে যেনেদৰে ৰাজহুৱা কাম-কাজবোৰত মুক্তহস্তে দান কৰিছিল, বহুতে তেওঁক বৰ চহকী মানুহৰ ল'ৰা বুলিহে ভাবিছিল। তেওঁৰ বিলাস নাছিল, পোছাক-পৰিচ্ছদ সাধাৰণ আছিল। বিদ্যাসাগৰ আছিল তেওঁৰ ছাত্ৰজীৱনৰ আদৰ্শ আৰু ৰাজনীতি ক্ষেত্ৰত আছিল দাদাভাই নৌৰজী গোখেল আৰু মহাত্মা গান্ধী।

মেট্ৰিকুলেশ্যন পাছ কৰাৰ পিছতে তেওঁ কলেজত পঢ়াৰ দিহা চলাব নোৱাৰি বাধ্য হৈ গুৱাহাটীৰ ৺ অন্নদাকুমাৰ বৰুৱাৰ জীয়েক শ্ৰীযুতা ভুবনেশ্বৰী দেৱীক বিয়া কৰায়। বিয়া কৰোৱাৰ পিছত তেওঁ শহুৰেকৰ ঘৰত থাকি কলেজত পঢ়িবলৈ ধৰিলে। নানান কাম-কাজ জাজ-জঞ্জালৰ মাজতো তেওঁ ১৯১২ খৃঃত আই,এ পৰীক্ষা অতি দক্ষতাৰে পাছ কৰি এটা বৃত্তি পায়। তাৰ দুবছৰ পিছতে ১৯১৪ খৃঃত বি-এ পাছ কৰে। বি-এ পাছ কৰি সোণাৰাম হাইস্কুলত শিক্ষকতা আৰু ল কলেজত অধ্যয়ন আৰম্ভ কৰে। এই দুই কাম কৰিও তাৰ ভিতৰতে সময় উলিয়াই তেওঁ ৰাইজৰ আৰু দেশৰ কামো কৰিছিল।

এই সময়ৰ সকলোতকৈ শ্ৰেষ্ঠ কীৰ্ত্তি হৈছে অসম ছাত্ৰ সন্মিলন স্থাপন। আজি যাৰ বাবে অসমীয়া ছাত্ৰসকলে গৌৰৱ অনুভৱ কৰিব পাৰে, অসমীয়া ছাত্ৰসকলৰ সেই আদৰৰ অসম ছাত্ৰ-সন্মিলন, চন্দ্ৰ শৰ্ম্মাৰ অক্লান্ত চেষ্টা আৰু উদ্যমৰ ফল। ১৯১৬ খৃঃৰ ২৫ ডিচেম্বৰত অসম ছাত্ৰ-সন্মিলন স্থাপিত হয়। অজি অসম ছাত্ৰ-সন্মিলনে যৌৱন যুগৰ প্ৰথম সোপানত ভৰি দিছে, আজি অসম ছাত্ৰ সন্মিলনৰ নতুন প্ৰেৰণা, নতুন উদ্যম, নতুন শক্তি আহিছে। অসম ছাত্ৰ-সন্মিলনৰ যেন বিজয়শঙ্খ গগন পবন নিনাদিত কৰি বাজি উঠি দেশক আগবঢ়াই নিয়ে।

১৯১৮ চনত তেওঁ বি,এল পাছ কৰি উকীল হয়। কিন্তু উকীল নামতহে হ'ল কামত নহয়। সেই সময়ত ইমান ৰাজহুৱা কাম কৰিব লগীয়া হৈছিল যে, সেইবোৰক পাছ কৰি ক্ষুদ্ৰ স্বাৰ্থ ওকালতীৰ বাবে তেওঁ ব্যস্ত হব পৰা নাছিল। মক্কেলৰ অভাৱ তেওঁৰ নাছিল কিন্তু মক্কেলৰ টকাৰ নীচ লোভে তেওঁৰ দৃঢ় অজেয় মনক ৰাইজৰ মহৎ সেৱাৰপৰা আঁতৰাব পৰা নাছিল। পিশাচ লোভৰ কি শক্তি যে তেওঁৰ নিচিনা দেৱতাৰ ওচৰ চাপিব।

১৯১৮ চনৰ ডিচেম্বৰৰ ২৭ তাৰিখে গোৱালপাৰাত যি সাহিত্য-সভা আৰু অসম এচোচিয়েশ্যনৰ অধিবেশন বহে তাৰ সাফল্যৰ বাবে তেওঁ বহুত চেষ্টা কৰিব লগা হৈছিল। সন্মিলনৰ অধিবেশন চলি থাকোতেই তেওঁ টেলিগ্ৰাম পালে যে তেওঁৰ পত্নীৰ অৱস্থা সঙ্কটজনক, তেওঁৰ উপস্থিতি একান্ত আৱশ্যক। কিন্তু অটল বীৰ চন্দ্ৰনাথে টেলিগ্ৰাম পায়ো আগৰ

দৰেই অচল-অটলভাৱেই ৰ'ল। বীৰৰ দৰে বীৰদৰ্পে তেওঁ কলে, "মাতৃপূজাতকৈ পত্নীৰ নৰিয়া ডাঙৰ হব নোৱাৰে।"

১৯১৯ খৃঃত তেজপুৰত অসম ছাত্ৰ সন্মিলনৰ অধিবেশনৰ সভাপতি আছিল বিখ্যাত আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়। তেওঁ চন্দ্ৰনাথৰ কাৰ্য্যকুশলতা উৎসাহ উদ্দীপনা দেখি তেওঁৰ প্ৰশংসা কৰি অসমীয়া ছাত্ৰসকলক সেই মহৎ আদৰ্শ অনুসৰণ কৰিবলৈ উপদেশ দিছিল।

বিলাতলৈ অসমৰপৰা প্ৰতিনিধি গৈ অসমলৈ যি নতুন শাসনসংস্কাৰ আনিছিল সিও কেৱল চন্দ্ৰ শৰ্ম্মাৰ অক্লান্ত চেষ্টাত, নহলে হয় তো অসমৰ ভাগ্যত সি নঘটিল হেঁতেন। অসমত গাৱেঁ গাৱেঁ যি গঠনমূলক কাম হৈছিল সিও তেওঁৰ নিঃস্বাৰ্থ চেষ্টাৰ ফলত। অসমৰ চাৰিওফালে কাম কৰি ফুৰোতে এদিনহ ঠাৎ তেওঁ নাগৱঁৰ এখন সভাত বক্তৃতা দি থাকোঁতেই মাতৃবিয়োগৰ খবৰ পাইছিল। জন্মভূমিৰ সেৱাত ব্যস্ত থাকোঁতেই নিজৰ জননীৰ শেষ অৱস্থাতো তেওঁ জননীৰ চৰণ দৰ্শন নাপালে। নিজৰ এনে নিঃস্বাৰ্থ কৰ্ম্মকুশলতাৰ বাবে তেওঁ সমগ্ৰ অসমৰ গাঁৱে ভূঞে জনাজাত আছিল।

কলিকতা কংগ্ৰেচত যেতিয়া স্বদেশী আন্দোলনৰ প্ৰস্তাৱ গৃহীত হয় সেইবাৰ চন্দ্ৰনাথো তাত উপস্থিত আছিল। তাৰ পিছত তেওঁৱেই অসমত পোনপ্ৰথমে অসহযোগ আন্দোলন আৰম্ভ কৰে। অসমত অসহযোগ আন্দোলনৰ প্ৰথম পুৰোহিত তেৱেঁই। প্ৰথম আদালত বৰ্জ্জন কৰে তেওঁৱেই। এই বৰ্জ্জন চন্দ্ৰনাথৰ নিচিনা নিচেই অৰ্থহীন দুখীয়া এজনৰ মহৎ চৰিত্ৰৰ পৰিচায়ক। দেশৰ কাৰণে, দেশৰ আহ্বানত তেওঁ জীৱনৰ সকলো সুখভোগ ত্যাগ কৰি দেশৰ নামত বৈৰাগী হ'ব পাৰিছিল। দেশেই আছিল তেওঁৰ সাধনা, দেশেই আছিল তেওঁৰ জপ আৰু দেশেই আছিল তেওঁৰ সকলো।

অসহযোগ আন্দোলনত দীক্ষিত হৈ তেওঁ আগতকৈ আৰু চাৰিগুণ বেছি উৎসাহ উদ্দীপনাৰে দেশৰ কাম কৰিবলৈ ধৰিলে। দেশৰ কামৰ হেঁচাত তেওঁ নিজৰ দেহৰ দুখকষ্ট একেবাৰেই পাহৰি গ'ল, নিজৰ স্বাস্থ্যলৈও মন কৰিবৰ সময় নোহোৱা হ'ল। শৰীৰৰ জ্বালা-যন্ত্ৰণা বেমাৰ-আজাৰ সকলো তেওঁ সহ্য কৰি ধৈৰ্য্যেৰে সৈতে কাম কৰিছিল। তেতিয়ালৈকে তেওঁক শৰীৰৰ বেমাৰ বা যন্ত্ৰণাই দেশসেৱাৰ কাৰ্য্যৰপৰা আঁতৰত ৰাখিব পৰা নাছিল, যেতিয়ালৈকে তেওঁৰ শৰীৰ একেবাৰে অলৰ-অচৰ হৈ নপৰিছিল।

মাটিৰ দেহাই আৰু কিমান সহিব পাৰিব! এনেকুৱা অক্লান্ত পৰিশ্ৰমত তেওঁৰ স্বাস্থ্য লাহে লাহে ভাগি পৰিল। তেওঁৰ এই দুৰৱস্থা দেখি বহুতে তেওঁক কামৰপৰা জিৰণি লবলৈ কৈছিল কিন্তু কৰ্ম্মীৰ তো এলাহ, ভাগৰ, জিৰণি, দুখ একো নাই; তেওঁৰ কৰ্ম্মতে সুখ, কৰ্ম্মতে জিৰণি। সমুখত মহান কৰ্ত্তব্য পেলাই থৈ কৰ্ম্মীয়ে জিৰণি লব নোৱাৰে। তেওঁ আছিল কৰ্ম্মবীৰ, তেওঁৰ মানত নিজৰ দেহতকৈ কৰ্ত্তব্য ডাঙৰ। তেওঁ কৈছিল "আগলৈ কি হয় কব নোৱাৰোঁ কিন্তু শৰীৰত শক্তি থাকে মানে কৰ্ত্তব্য মই কেতিয়াও অৱহেলা কৰিব নোৱাৰো। আৰু সঁচাকৈয়ে তাকে তেওঁ কৰিছিলও।

শেষত তেওঁৰ যক্ষ্মা ৰোগ হ'ল। তেজপুৰত আৰোগ্যৰ মুঠেই সম্ভাৱনা নেদেখি বন্ধু-বান্ধৱৰ অনুৰোধ এৰাব নোৱাৰি কলিকতালৈ গ'ল, তাৰ পিছত পুৰীলৈও গ'ল, কিন্তু ক'তো একো সুফল নফলিল। ঘূৰি আহিল, কিছুদিনৰ পিছত শ্বিলঙলৈ গ'ল। কিন্তু হায়! তেওঁৰ যি দেহা ভাগিল সি আৰু পুনৰ জোৰা নাখালে। শ্বিলঙত দুমাহ যন্ত্ৰণা ভোগ কৰাৰ পিছত ১৮৪৪ শঁকৰ ৪ শাওণ (১৯২২ খৃঃ ২০ জুলাই) বুধবাৰৰ দিনা তেওঁ সকলো যন্ত্ৰণাৰপৰা মুক্তিলাভ কৰিলে। দেশবাসী তেওঁৰ মৃত্যুত কান্দি উঠিল, দেশৰ এক পূৰাব নোৱাৰা ক্ষতি হ'ল। কৰ্ম্মবীৰৰ কৰ্ম্ম শেষ নৌহওঁতেই নিষ্ঠুৰ কালে তেওঁক লৈ গ'ল।

আজি কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা নাই, তেওঁ মৰিবৰ আজি প্ৰায় ৭ বছৰ অতীত হৈছে। এই ৭ বছৰৰ পিছতো এবছৰ এবছৰকৈ কত বছৰ পাব হব কিন্তু তেওঁ সময়-বালিত যি খোজ থৈ গ'ল, যি মহৎ জলন্ত আদৰ্শ থৈ গ'ল, সেই খোজ, সেই আদৰ্শ সদায় জল-জল পট্-পটকৈ জিলিকি থাকিব। চন্দ্ৰ শৰ্ম্মাৰ নিচিনা নিৰ্ভীক, সাহসী, উচিত বক্তা ভবিষ্যতে ওলাবনে নোলায় আমি কব নোৱাৰোঁ, সি ভবিষ্যতৰ আন্ধাৰ

গৰ্ভত, কিন্তু এতিয়ালৈকে তেনে পুৰুষ খুব কমহে। তেওঁৰ নাম সোণালী আখৰেৰে উজলতকৈও উজল হৈ অসমীয়াৰ স্মৃতিপটত লিখা থাকিব।

মানুহ জীয়াই থাকে কৰ্ম্মতহে, বছৰত নহয়। বছৰ হিচাপ কৰিবলৈ হলে শৰ্ম্মাদেৱ নিচেই অল্পায়ু। তেওঁ মুঠেই ৩৩ বছৰহে জীয়াই আছিল। কিন্তু এই ৩৩ বছৰত যিমানবিলাক কাম কৰিলে তাক হিচাপ কৰিলে তেওঁ অনেক ১০০ বছৰীয়া বুঢ়াতকৈও বয়সিয়াল। তেওঁ দেখুৱাই গ'ল, আচলতে জীয়াই থাকিবলৈ হলে প্ৰচণ্ড শক্তিৰে সংগ্ৰাম কৰিব লাগিব, জীৱন এখন ভয়ানক সংগ্ৰাম, য'ত নিৰ্ভীকভাৱে যুদ্ধ কৰিব লাগিব। আৰু দেখুৱাই গ'ল, 'মোৰ দলৰ স্বাৰ্থ আগে তাৰ পিছতহে মোৰ নিজৰ স্বাৰ্থ' এই মহৎ আদৰ্শ।

ভাইসকল, এবাৰ সেই কৰ্ম্মবীৰক আজিৰ এই মহাদিনত স্মৰণ কৰক; মুখেৰে নহয়, হিয়াৰে, আৰু তাকে বাহিৰত তেওঁৰ আদৰ্শ অনুসৰণ কৰি দেখুৱাওক যে সঁচাকৈয়ে তেওঁক স্মৰণ কৰা হৈছে। নহলে এই স্মৃতিপূজাৰ একো সাৰ্থকতা নহব।

যিহৰ কাৰণে সেই কৰ্ম্মবীৰে ইমান কষ্ট আৰু যন্ত্ৰণা ভোগ কৰি তেওঁৰ জীৱন বলি দি গ'ল, সি আজি নহলেও এদিন নহয় এদিন সিদ্ধ হবই লাগিব। তেওঁৰ এই আত্ম-বলিদান ব্যৰ্থ নহয়—কেতিয়াও নহয়, কেতিয়াও নহয়, কেতিয়াও নহয়। যুৱকসকল, সেই এটা বলি একোৱেই নহয়, সি মাত্ৰ উদাহৰণ, সি মাত্ৰ আদৰ্শহে। এই মহাযজ্ঞত তেনে সহস্ৰ সহস্ৰ বলিৰ আৱশ্যক, নহলে আমাৰ লক্ষ্য আমাৰ সাধনা ব্যৰ্থ হৈ যাব। এই মহা আদৰ্শৰ মহা-সংগ্ৰামৰ সময় আহিব লাগিছে, তালৈকে কৰ্ম্মবীৰৰ আদৰ্শত অনুপ্ৰাণিত হৈ সাজু হ'ক, সাজু হ'ক। কবিৰ আহ্বান আহিছে :—

"সাজু হবৰে হ'ল ডেকা ল'ৰা সাজু হবৰে হ'ল!
সাজু হবৰে হ'ল অ সাজু হবৰে হ'ল!!

• • • •

অস্ত্ৰ বিচাৰিল তই অস্ত্ৰ বিচাৰিল
আন্ধাৰত তই থাকিবি কিয়নো
জগত পোহৰ হ'ল!

• • • •

তোৰ তপ্ত ৰুধিৰ ঢালি আয়েৰক অ'
শক্তি দিবৰে হ'ল!!"

হিমাদ্ৰিৰ দৰে অচল অটল হৈ, বজ্ৰৰ দৰে ভীষণ হৈ, শিলৰ দৰে কঠোৰ হৈ, ধুমুহাৰ দৰে বিদ্ৰোহী হৈ, সূৰ্য্যৰ দৰে মঙ্গলময় হৈ, যৌৱনৰ পূৰ্ণতেজত তেজস্বী হৈ যুৱকসকল সমুখৰ সংগ্ৰামলৈ সাজু হ'ক—সেই সংগ্ৰাম অন্যায় অত্যাচাৰ উৎপীড়নৰ বিৰুদ্ধে আৰু পাপৰ বিৰুদ্ধে। সেই সংগ্ৰাম ন্যায় প্ৰতিষ্ঠাৰ বাবে, বিচাৰ প্ৰতিষ্ঠাৰ বাবে আৰু সত্য প্ৰতিষ্ঠাৰ বাবে।

"ভয় নাই শুনা হেৰা অভয়ৰ বাণী
—উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্নিবোধত।'

ভাইসকল, আহক আজি আমি সকলোৱে এই পূজোপলক্ষে হিয়াৰ সঙ্কীৰ্ণতা, মনৰ দুৰ্ব্বলতা, ভীৰুতা স্বাৰ্থপৰতা, পাপমলি সকলো দূৰ কৰি পবিত্ৰ হওঁ আহক। সেই বীৰৰ আদৰ্শ বুকুত বান্ধি দেশৰ এই দুৰ্দ্দিনত, এই শোচনীয় অৱস্থাত, জননীৰ দুখ দৈন্য লাঞ্ছনা নিৰ্য্যাতন দূৰ কৰিবৰ কাৰণে হাতত জননীৰ বিজয় পতাকা লৈ বিজয় উল্লাসে সকলো বাধা বিঘিনি উৰুৱাই আগবাঢ়ি আহক। শেষত কবিৰ সুৰত সুৰ ধৰি কওঁ—

"নাষ্য বিচাৰি একোকে নগণি আগবাঢ়া
বাঢ়া আগ।" •

• ২।৮।২৯ তাৰিখে গুৱাহাটী কাৰ্জ্জন হলত দেশভক্ত শ্ৰীযুক্ত তৰুণ ৰাম ফুকন ডাঙৰীয়াৰ সভাপতিত্বত বহা স্বৰ্গীয় চন্দ্ৰনাথ শৰ্ম্মাৰ স্মৃতি-উৎসৱত পঠিত।

বন্ধু

গল্প—

ঠিক ১১ বছৰৰ আগৰ কথা। পূজাৰ বন্ধত কলিকতা-প্ৰবাসী অসমীয়া ছাত্ৰসকল অসম আইৰ সেউজীয়া কোলাত মাহেকীয়া বিশ্ৰাম লবলৈ উভতি অহিছে। শৰৎ কাল, গৰম কমি গৈছে—জাৰ পৰা নাই। শেৱালি ফুলবোৰ নিয়ৰৰ মুকুতা পিন্ধি পুৱাৰ ৰদকাচলিত তিৰবিৰাই থাকে।

মই তেতিয়া ন-কন্যা। স্বামীৰ লগত গুৱাহাটীত আছোঁ। বিবাহিত জীৱনৰ প্ৰথম অধ্যায় যেনে সকলোৰে পক্ষে স্বপ্নময় মোৰ পক্ষেও কম-বেছি তেনেই আছিল।

সেই দিনা পুৱা মোৰ স্বামীয়ে এটি ডেকা ল'ৰা ক'ৰবাৰ পৰা ধৰি আনি মোৰ ওচৰত উপস্থিত কৰি কলে "মোৰ বন্ধু নবীন, নাম শুনিব পোৱা।" স্ত্ৰীসুলভ লাজে যদিও মোক হেঁচা মাৰি ধৰিছিল তথাপি এই ল'ৰাটিলৈ নাচাই মই নোৱাৰিলোঁ, কাৰণ ঘৰতো আৰু ইয়াতো নবীন বৰুৱাৰ বহু গুণ-গান সদায় শুনিবলৈ পাইছিলোঁ। বিশ্ববিদ্যালয়ত অসমীয়া ল'ৰাৰ কৃতিত্ব আৰু সজ স্বভাৱৰ উদাহৰণতে বিশেষকৈ তেওঁৰ নাম উচ্চাৰিত হোৱা শুনিছিলোঁ। কিন্তু কেতিয়াবা যে এই নবীনৰ লগত মোৰ সাক্ষাৎ সম্বন্ধ কিবা ঘটিব এনে আশা কেতিয়াও কৰা নাছিলোঁ। আজি লাজৰ শাসন কাতি কৰি থৈ এবাৰ মূৰ তুলি চাই—মোৰ মুখৰ ওপৰত নিবদ্ধ এজোৰ অপূৰ্ব্ব কৰুণাপূৰ্ণ চকুৰ ৰশ্মি আহি পৰা দেখিলোঁ আৰু মোৰ গাটোত এটা স্নিগ্ধ ভাব খেলি গ'ল। দেখিলোঁ, এটি পাতল ল'ৰা—ভৰিত জোতা নাই, গাত এটি কামিজ চোলা, চুলিবোৰ কেকোৰা আউলি বাউলি। মুখত এটি মৃদু হাঁহি—চকুত এটি অপাৰ স্নেহৰ দৃষ্টি। এই চকুজুৰিৰ দৃষ্টিয়ে যি বস্তুকে স্পৰ্শ কৰে সিয়েই যেন শীতল হাতৰ স্পৰ্শত শান্তি পোৱাৰ দৰে শান্তি পায়। বিশ্ববিদ্যালয়ত বুদ্ধিমান বুলি জনাজাত ছাত্ৰৰ প্ৰাখৰ্য্যৰ কোনো চিনেই এই ল'ৰাটিৰ কোনো অংশকে স্পৰ্শ কৰিব পৰা নাই। সাধাৰণ কথা বতৰা আৰম্ভ হ'ল। নবীনৰ কণ্ঠস্বৰতো এটা কমনীয় ভাবৰ আভাস ফুটি ওলাইছিল। চাহ জলপান দি ন-বোৱাৰীৰ কৰ্ত্তব্য পালন কৰিলোঁ, আৰু লগে ২ লক্ষ্য কৰিলোঁ যে এই ল'ৰাটি মই আগেয়ে লগ পোৱা সকলো মানুহতকৈ পৃথক। এটা আসক্তি-হীনতাৰ ভাবে তেওঁক যেন বেঢ়ি আছে। কথাত, কাৰ্য্যত সকলোতে এটা স্বাভাৱিক চপলতা যেন বিৰাজ কৰিছে; কিন্তু এই ল'ৰাটিৰ চকুজুৰিৰ কৰুণ অথচ গভীৰ এই দৃষ্টিয়ে যেন সকলো বস্তুলৈকে দয়া প্ৰকাশ কৰিছে। এঘণ্টামান মোৰ তাত থাকি তেওঁ গুচি গ'ল কিন্তু মোৰ মনত সেই সুন্দৰ চকুজুৰি মুদ্ৰিত হৈ থাকিল। তাৰ ভাব, তাৰ ভাষাই যেন মোক আপ্লুত কৰি তুলিলে। সেই চকুজুৰিৰ দৃষ্টিয়ে যেন ঈশ্বৰৰ কৰুণাৰ দৰে, বাৰিষাৰ বৰষুণৰ ধাৰাৰ দৰে আৰু শৰৎ কালৰ হিমৰ দৰে মোৰ ওপৰত অযাচিত আনন্দ বৰ্ষণ কৰি গ'ল।

মোৰ সৌন্দৰ্য্যৰ খ্যাতি আছিল। নবীন দেখিবলৈ সুন্দৰ নহয়।

তাৰ পিছত আইৰ ঘৰলৈ গলোঁ। বছেৰেক মই নবীনক দেখা নাই কিন্তু সেই খন্তেকীয়া অতিথিৰ স্মৃতিয়ে এতিয়াও মাজে মাজে মোৰ মনত আনন্দৰ এটি ক্ষুদ্ৰ ঢৌ তুলি দি যায়।

আইৰ ঘৰত কেইবা মাহো থাকিলোঁ। তাতে শুনিলোঁ নবীনে পঢ়াশুনা এৰি অসহযোগ আন্দোলনত যোগ দি গুৱাহাটী পাইছেহি। এই কাৰ্য্যৰ স্তুতি আৰু নিন্দা দুয়োটাকে যদিও শুনিছিলোঁ তথাপি শ্ৰদ্ধাত মোৰ হিয়া ভৰি গৈছিল।

গুৱাহাটীলৈ আহিলোঁ। যতৰ আৰু কপাহৰ সূত্ৰত

নবীনৰ সৈতে আলাপ ভালকৈয়ে হ'ল। দেশৰ অৱস্থাৰ বিষয়ে মোৰ স্বামী, নবীন আৰু মোৰ ভিতৰত সদায় গভীৰ আলোচনা হৈছিল। মহাত্মা গান্ধীৰ আদৰ্শ আৰু ভাৰতৰ স্বাধীনতাৰ কথা কওঁতে কওঁতে নবীন কেতিয়াবা ইমান আত্মহাৰা হৈ পৰিছিল যে মই লঘু কথাৰে তেওঁক বলেৰে টানি আনিব লগীয়াত পৰিছিলোঁ। মুঠতে মোৰ আৰু নবীনৰ ভিতৰত প্ৰগাঢ় বন্ধুত্ব স্থাপিত হ'ল। বন্ধুত্ব মানে নবীনৰ পক্ষে সম্ভৱতঃ সহজ সৰল নিৰ্ব্বিকাৰ এটা ভাব। মোৰ ওচৰলৈ আহিবলৈ মোৰ লগত কথাৰ আলচ কৰি থাকিবলৈ নবীনে ভাল পায়। কেতিয়াবা মই যে তিৰোতা নবীনে তাকো পাহৰি যায় আৰু নিৰ্ব্বিকাৰভাৱে কব নলগীয়া কথা কৈ যায়। স্বামী কামলৈ ওলাই গলে কেতিয়াবা নবীনে আহি মোৰ লগত গোটেই দুপৰীয়াটো গল্প কৰে।

সেইদিনা দুপৰীয়াও নবীনে আহি গল্প আৰম্ভ কৰিলে। মই মুৰ আচুৰিবৰ সঞ্জোগ কৰিছিলোঁ। চুলিত কিছু জঁট লাগিছিল দেখি নবীন মোৰ ওচৰত বহি পৰিল আৰু চুলিৰ জঁট ভাঙি দিবলৈ ধৰিলে। মই মহা বিপাঙত পৰিলোঁ। মোৰ বন্ধুত্বৰ ভাবটিৰ স্বৰূপ তেতিয়া অন্য ধৰণৰ। দিনে এবাৰ নবীনক দেখিবলৈ প্ৰাণ ব্যাকুল হৈ থাকে। পুৱাৰপৰা ৰাতিলৈ কেৱল সদায় চকু বাটত, আশা—হয় তো নবীন আহিব। কেতিয়াবা মোৰ পদূলিয়েই নবীন কৰবালৈ যায়গৈ। মোৰ মনটো কেনেবা লাগে মোক একাষাৰ মাত দি নোযোৱাৰ কাৰণে। এটা তীব্ৰ মধুৰ আকৰ্ষণ নবীনৰ প্ৰতি সদায় অনুভৱ কৰিছিলোঁ। আৰু মোৰ স্বামীক শ্ৰদ্ধা-ভক্তি সম্পূৰ্ণৰূপে কৰিছিলোঁ আৰু বোধ কৰোঁ ভালো পাইছিলোঁ। অ' চুলিৰ জঁট ভঙাৰ কথা কৈছিলোঁ। নবীনৰ আঙুলিৰ স্পৰ্শত মোৰ শৰীৰ কিবা এটা অপূৰ্ব্ব আনন্দৰ হেন্দোলনি সহিব নোৱাৰি আড়ষ্ট হৈ আহিল। মই ঘামিবলৈ ধৰিলোঁ। মোৰ কণ্ঠ ৰোধ হৈ গ'ল। চুলিৰ জঁট ভাঙি নবীন গুচি গ'ল কিন্তু মোৰ শৰীৰৰ পুলক শিহৰণ নাথামিল। সেইদিনা নিস্তব্ধ দুপৰীয়া নবীনে ইচ্ছা কৰাহেঁতেন মোৰ সৰ্ব্বস্ব সম্পত্তি বিনা আয়াসে পাব পাৰিলেহেঁতেন। নবীনৰ ওপৰত মোৰ শ্ৰদ্ধা বাঢ়িল।

বহাগৰ বিহুৰ দিনা ৰাতি ছয়-সাতজন সহকৰ্ম্মী লৈ নবীন মোৰ ঘৰত উপস্থিত। আটাই কেউজনৰে মুখ শুকান। সেই দিনা "জালিয়ানৱালাবাগ দিবস" উপলক্ষে সকলো অনাহাৰে থাকি কংগ্ৰেচৰ কাম কৰি ফুৰিছিল। নবীনে কলে—"ৰাণী! আজি ব্ৰত ভঙ্গ তোমাৰ ইয়াত হব। মোৰ বন্ধুত্বৰ এয়ে প্ৰথম উপহাৰ।" মোৰ হিয়া আনন্দত উপচি পৰিল।

এনেকৈয়ে দিন যাবলৈ ধৰিলে। নবীনৰ একনিষ্ঠ কংগ্ৰেচ সেৱাত দেশবাসী মুগ্ধ হ'ল।

মাঘ পালেহি। ঈশ্বৰে মোৰ কোলাত এপাহি সৰগৰ ফুল তুলি দিলে। নবীনৰ আনন্দ অপাৰ। তাৰ তিন দিনৰ পিছত নবীনক গ্ৰেপ্তাৰ কৰি পুলিচে গৈ গ'ল।

আনন্দ আৰু দুখ দুয়োৰো দুধাৰি চকুলো মোৰ চকুৰেদি বৈ গ'ল।

এনেকৈয়ে আৰু দিন যাবলৈ ধৰিলে। বহু পৰিবৰ্ত্তনৰ মাজতো নবীন আৰু মোৰ বন্ধুত্ব অটুট আছিল।

নবীন ন উকীল হৈ বিয়া কৰালে। বিয়ালৈ গৈছিলোঁ। হিয়াৰ তলিত যে অলপ বেদনা অনুভৱ কৰা নাছিলোঁ এনে নহয় কিন্তু মনটোক শাসন কৰি আনন্দ মনেৰে সকলো কামতে লাগি-ভাগি ফুৰিছিলোঁ।

ন-কইনা আহিল। নবীনৰ লগত মোৰ বন্ধুত্ব তেতিয়াও অটুট কিন্তু এই ন-কন্যাই কি মোহিনী জানে কব নোৱাৰোঁ; যি নবীন কেতিয়াও কোনো যুৱতীৰ ৰূপ মোহত ভোল যোৱা নাছিল সেই নবীনে বিশ্ব পাহৰি এই সৌন্দৰ্য্যৱতী আৰু গুণৱতী যুৱতীৰ চৰণত দিনে-ৰাতিয়ে প্ৰেমপুষ্পাঞ্জলি দিও যেন তৃপ্ত নহৈছিল।

আজি কাশীৰ পৰা নবীনৰ চিঠি পাইছোঁ। নবীনৰ বিয়া হোৱা আজি মাথোন তিনি বছৰ হৈছে। চিঠিখন এই——ৰাণী, বন্ধু মোৰ!

বিদায়ৰ দিন চাপি আহিছে। মৃত্যুৰ আগতে এবাৰ তোমাক সম্ভাষণ জনাই যোৱা কৰ্ত্তব্য। সেইদেখি এই চিঠি।

তোমাৰ বন্ধুত্বৰ মধুৰ স্মৃতিয়ে মোৰ প্ৰাণত বহুত সময়ত আনন্দৰ প্ৰলেপ সানি দিছে, অন্ধকাৰৰ বিজুলীৰ দৰে

জীৱনক উদ্ভাসিত কৰি তুলিছে। ৰাণী! ঠিক এবছৰ আগতে আশীৰ্ব্বাদ কৰিছিলা—মৃত্যুৱে যেন মোক সোনকালে সামৰে। তোমাৰ সেই আশীৰ্ব্বাদ সফল হবলৈ পলম নাই। অকলশৰে বিদেশত মৃত্যু-সখাৰ কাৰণে অপেক্ষা কৰি বহি আছোঁ। অলপ ভয়, অলপ সংশয় মাজে মাজে আহিছে। ভয়, হয় তো মৃত্যুৰ সিপাৰে মোৰ প্ৰিয়তমাক নাপাৱেঁই! সংশয়, হয় তো মৃত্যুতে সকলে শেষ। কিন্তু সি ক্ষন্তেকীয়া। মৃত্যুৰ সিংহদ্বাৰৰ সিফালেই মোৰ প্ৰিয়াৰ ৰাজত্ব। পৰহিলৈ পূৰ্ণিমা। তেৰ মাহ আগতে পূৰ্ণিমাৰ দিনা মোৰ কোলাত মূৰ থৈ প্ৰিয়তমাই বিদায় লৈ গ'ল আৰু আশ্বাস দি গল—মোৰ কাৰণে তেওঁ বাট চাব। মৃত্যুৰ মধুৰ স্পৰ্শত যি অপূৰ্ব্ব স্বৰ্গীয় ভাব তেওঁৰ মুখত ফুটি উঠিছিল তাৰ পৰাই বুজিছিলোঁ, তেওঁ মৰণ ৰাজ্যৰ সিফালে কোনোবা দিব্যধাম দেখিহে তেনে কথা কৈছিল।

গ'ল ৰাতি সপোন দেখিছোঁ—তেওঁ আহি মোক পূৰ্ণিমাৰ দিনা লৈ যাব বুলি কৈ গৈছে। তেনে ৰাণী! পূৰ্ণিমাৰ দিনা আমাৰ আকৌ মিলন হব। তুমি উকলি দিবলৈ নাপাহৰিবা।

ৰাণী! অনেক সময়ত ভাবোঁ—প্ৰভা ঠিক মানৱী নাছিল। ইমান ৰূপ, ইমান গুণ অথচ ইমান ভাল-পোৱা মানৱীত সম্ভৱ নহয়। মানৱী শৰীৰ যেন ভাল-পোৱাৰ বোজা ব'ব নোৱাৰি আপোনা-আপুনি ভাগি পৰিল।

আজি মৃত্যুৰ নিশ্চয়তাই মনলৈ শান্তি আনিছে। দেহ, মন, আত্মাৰে যাক ভাল পাইছিলোঁ সেই প্ৰভাৰ সোণৰ শৰীৰ যেতিয়া চিতাত তুলি দিলোঁ তেতিয়াই মোৰো দেহ দাহ হৈ গ'ল বুলি ভাবিবা। তাৰ পিছত অৱশ্যে লৌকিকভাৱে জীয়াই আছিলোঁ; কিন্তু আচলতে মোৰ অন্তৰ পুৰি-দেই ছাই হৈ গৈ শ্মশানত পৰিণত হৈছিল। ব্যৱহাৰিক জগত মোৰ ওচৰত অৰ্থশূন্য হৈ গৈছিল। প্ৰভাহীন জীৱন মোৰ পক্ষে অসম্ভৱ। গতিকে মৃত্যুমঙ্গলক সাদৰে আহ্বান কৰিছোঁ। তোমাৰ আশীৰ্ব্বাদৰ কাৰণে তোমাক ধন্যবাদ জনাইছোঁ। ৰাণী! মোৰ মৰম জানিবা। ইতি—

তোমাৰ—নবীন।

চিঠিখন পঢ়ি মূৰ ঘূৰাই গ'ল। প্ৰভাৰ মৃত্যুৰ পিছত সঁচাকৈয়ে এদিন 'মৃত্যুৱে তোমাক গ্ৰহণ কৰক' বুলি নবীনক মই আশীৰ্ব্বাদ কৰিছিলোঁ। কিন্তু ভগৱানে জানে, সেই আশীৰ্ব্বাদত আন্তৰিকতা নাছিল। হে ভগৱান! মোক সেই আশীৰ্ব্বাদ ঘূৰাই দিয়া, নবীনক দীৰ্ঘায়ু কৰা প্ৰভু! নবীনৰ মৃত্যু মোৰ পক্ষে এটা ভাবিব নোৱাৰা অৱস্থা। দিনে-ৰাতিয়ে আজি ৪ দিন কেৱল ঈশ্বৰৰ ওচৰত নবীনৰ জীৱনৰ কাৰণে প্ৰাৰ্থনা কৰিছোঁ।

আজি খবৰ আহিছে, পূৰ্ণিমাৰ দিনা নবীনৰ মৃত্যু হ'ল।



বহল অসমৰ সীমা

—শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস

অধিবাসী মানুহৰ ভাষা আৰু আচাৰ ব্যবহাৰ আদিলৈ লক্ষ্য কৰি বৰ্ত্তমান অসমৰ যে সীমা বহলাব লাগে—এই কথা সমৰ্থন কৰি কেবাজনো সুবিজ্ঞ লিখকে নানা প্ৰসঙ্গত যুক্তি দেখুৱাই কেবাটাও সুচিন্তিত প্ৰবন্ধ লিখিছে। সেই বাবে তেখেতসকল সদৌ অসমবাসীবেই ধন্যবাদৰ পাত্ৰ।

পুৰণি কামৰূপ ৰাজ্য বা বৰ্ত্তমান অসমৰ সীমা আগেয়ে ক'লৈকে আছিল তাকে বঙালী লিখক দুজনৰ লিখাবপৰা ইয়াত তুলি দিয়া হ'ল।—

(১) শ্ৰীযুক্ত যোগীমাধৱ দে মহাশয়ৰ 'শব্দাৰ্থ মুক্তাবলী' খন বঙালী ভাষাত এখন বৰ মূল্যবান অভিধান। এই অভিধানখন সংকলন কৰাত দে মহাশয়ৰ পাণ্ডিত্য-প্ৰতিভা সুন্দৰকৈ প্ৰকাশ পাইছে। সেই অভিধানৰ ভাষাৰ বিবৰণৰ ৬ষ্ঠ পৃষ্ঠাত এইদৰে লিখা আছে।

"এই বঙ্গ ভাষা যে কত দিন উৎপন্ন হইয়াছে, এক্ষণে তাহার নির্দ্দেশ করা সুকঠিন পরাহত। যেহেতু এই বঙ্গদেশ বহুকাল প্রস্থাপিত হইয়াছে, যে যুগে বলি রাজার পৌত্রত্রয় রাজা হইয়াছিল, অর্থাৎ অঙ্গ, বঙ্গ, কলিঙ্গ এই তিন জনে তিন দেশ স্থাপন করেন অনুমান তৎকালাবধিই এদেশে এই ভাষা প্রচলিত হইয়াছে। পূর্ব্বে এই বঙ্গদেশ বিবাট রাজ্যে ভুক্ত ছিল। বঙ্গদেশের পশ্চিম সীমা রাজমহল, পূর্ব্ব সীমা আসাম ও কামরূপ, দক্ষিন সীমা সুবর্ণরেখা নদী, উত্তর সীমা বঙ্গপুর ও কোচহেহাদি দেশ, ইহার মধ্যে প্রকৃত বিকৃত রূপ যাহা হউক কিন্তু বঙ্গ ভাষাই ব্যবহার হইয়া আসিতেছে।"

ওপৰৰ কথাবপৰা বুজা যায় যে আমাৰ শোণিত-পুৰপতি বলিনন্দন বাণৰ পুত্তেক-ভতিজাকেহে অঙ্গ-বঙ্গ-যুক্ত বৰ্ত্তমানৰ বঙ্গদেশ স্থাপন কৰিছিল, আৰু তেতিয়া যে ৰংপুৰ আৰু কোচবিহাৰ আদিত পুৰণি কামৰূপী ভাষাহে প্ৰচলিত আছিল তাক ওপৰৰ কথাখিনি পঢ়িলেই ধৰিব পাৰি। শুনিবলৈ পাইছোঁ বৰ্ত্তমান দৈনন্দিন জিলাৰ ভিতৰত থকা মধুপুৰ নামৰ ঠাই এডোখৰ হেনো প্ৰাগ-জ্যোতিষপুৰৰ অধিপতি ভগদত্তৰ অধীনত আছিল।

(২) ১৩৩৬ চনৰ মাঘৰ 'পঞ্চপুষ্পত' অধ্যাপক শ্ৰীযুক্ত চিন্তাহৰণ চক্ৰবৰ্ত্তী কাব্যতীৰ্থ এম্-এ মহাশয়ে "বঙ্গদেশে সংস্কৃত চৰ্চ্চা ও সংস্কৃত সাহিত্যে বাঙ্গালীৰ দান" নামৰ এটা প্ৰবন্ধ লিখিছে। তাৰে ১৩৬৭ পৃষ্ঠিত "পালকাপ্য বচিত হস্ত্যায়ুৰ্ব্বেদৰ" কথা উল্লেখ আছে। পুনা আনন্দাশ্ৰম পৰা পুথিখন প্ৰকাশ হৈছে। তাত হাতীৰ চিকিৎসাদিৰ বিষয়ে লিখা আছে।

ওপৰোক্ত লিখক মহাশয়ে স্বীকাৰ কৰিছে যে পালকাপ্যৰ জন্মভূমি বঙ্গদেশৰ পুব ভাগ বা অসম দেশ। পালকাপ্যই পুথিৰ আৰম্ভণতেই নিজৰ জন্ম ভূমিৰ বিষয়ে এইদৰে লিখিছে বোলে যে তেওঁৰ জন্মভূমিৰ মাজেদি মহাব্ৰাহ্ম ব্ৰহ্মপুত্ৰ বৈ গৈছে; আৰু তাৰ উত্তৰে হিমালয় পৰ্ব্বত। এনে স্থলত কাব্যতীৰ্থ মহাশয়ে পালকাপ্যক বঙালী কবি বুলি ধৰাটো যে ভুল হৈছে, সি তেখেতৰ লিখাৰ মাজতেই প্ৰকাশ পাইছে। যেনে—

"গ্ৰন্থকাৰ (পালকাপ্য) বাঙ্গালাৰ পূৰ্ব্বপ্ৰান্তে বা আসামে বাস কৰিতেন।"

কিছুদিন আগতেকৈ অসমত হাতীৰ কাৰবাৰ বৰ ডাঙৰ আছিল। আমি দুই এজন অসমীয়া ভদ্ৰলোকৰ মুখবপৰা অসমীয়া মানুহৰ হাতী ধৰা,কৌশল আদিৰ বিষয়ে শুনিবলৈ পাইছোঁ। অসমীয়া মানুহৰ হাতীৰ লগত এৰা ধনিষ্ঠ সম্বন্ধ সেই কাৰণে আমাৰ দৃঢ় বিশ্বাস "হস্ত্যায়ুৰ্ব্বেদ" খন লিখক অসমীয়া। আমি নাম শুনা "হস্তী বিদ্যাৰ্ণব" নামৰ পুথি খনেই সেই নাম পাব পায়। এই পুথিখন কেতিয়াবা চাবলৈ পালে নিজকে নিজেই ধন্য মানিম।

এইখিনিতে এটা মন কৰিব লগীয়া কথা হৈছে যে, বৰ্ত্তমান অসমৰ সীমা ভাষাৰ সহায়ত কোচবিহাৰ, ৰংপুৰ, জলপাইগুৰি আৰু কাছাবৈলৈকে বহলাবলৈ হলে সেই ভাষাত নামনি অসমত ব্যবহৃত হোৱা অৰ্থ থকা শব্দই যথোচিত ৰকমে ঠাই পাব লাগিব, কাৰণ নামনি অসমৰ ভাষাৰ লগত সেইবোৰ ঠাইৰ ভাষাৰ বিশেষ সাদৃশ্য আছে। আমাৰ দৃঢ় বিশ্বাস উজনি-নামনিৰ উদাৰ ভাৱৰ মিলনৰ ফলত আমাৰ মাতৃভাষাৰ জেউতি দুগুণে চবিব—সীমে অসম ভূমিৰ সীমা আকৌ প্ৰাচীন কামৰূপৰ সমান বহল হব—উজনিৰ বংপুৰৰ লগত ভাটীৰ বংপুৰৰ আকৌ ভাই ভাই সমন্ধ স্থাপন হব।

গান্ধাৰ-ভাস্কৰ্য্য

গান্ধাৰ ভাস্কৰ্য্য সমন্ধে এই প্ৰৱন্ধ আমাৰ তৃতীয় আৰু শেষ প্ৰৱন্ধ। এই প্ৰৱন্ধতে আমি গান্ধাৰ ভাস্কৰ্য্যৰ সামৰণি মাৰিলোঁ। নানান ঠাইৰ শিল্পকলা সম্বন্ধে আলোচনা কৰাৰ আমাৰ ঘাই কাৰণ এই যে আমাৰ দেশৰ শিল্পকলাৰে যাতে বাইজৰ চকু পৰে, তাৰেই সঙ্কেত কৰা।

অভিভাষণখনি ছপা আকাৰে ওলোৱাত তাৰ বিশদ আলোচনা ইয়াত নিদি উদ্ধৃতিয়াই হে মাত্ৰ থোৱা হ'ল। অসমৰ শিল্পকলা যথেষ্ট পৰিমাণে পোহৰলৈ নোলোৱাত আৰু বিশিনি ওলাইছে তাৰো সমল আমাৰ হাতত নথবাত অসমৰ শিল্পকলাৰ সম্যক্ আলোচনা কৰিবলৈ সুচল



অসম সাহিত্য সভাৰ যোৱা বছৰেকীয়া অধিবেশনৰ বুৰঞ্জীশাখাৰ সুযোগ্য সভাপতি প্ৰবীণ প্ৰত্নতাত্ত্বিক শ্ৰীযুত মোণাৰাম চৌধুৰী ডাঙৰীয়ায়ো তেখেতৰ সাকৰা আৰু চিন্তাশীল অভিভাষণত অসমৰ শিল্পকলালৈ ইঙ্গিত কৰিছে। পোৱা নাই। সেইবোৰ যাওক। ছৌধুৰী ডাঙৰীয়াই আৰু এষাৰ সময়োপযোগী কথা অভিভাষণ খনিত কৈছে যে পুৰণি কীৰ্ত্তিমণ্ডিত কোনো কোনো ঠাই, যেনে—গুৱাহাটী, তেজপুৰ আদি থানিৰ পাৰিলে বহুতো প্ৰাচীন



লীলা কমল

অসমৰ ঠাই কিমান ওখত হয় কব নোৱাৰি। কিয়নো বিজনি দিব পৰা সম্পদ আমি উদ্ধাৰ কৰিব পৰা নাই আৰু যিখিনি উদ্ধাৰ কৰা হৈছে, তাকো বিজাই চাবলৈ প্ৰয়াস পোৱা নাই; কিন্তু পৃথিবীৰ অন্যতম আশ্চৰ্য্য অনুপম তলাতল ঘৰে যি দেশৰ বুকু ওৰাই আজিও জিলিকি আছে সেই দেশ যে প্ৰাচীন সম্পদত বিপুল চহকী তাক বুজিবলৈ কাৰো মনত খুচৰনি থাকিব নোৱাৰে। এতিয়া এই ইপ্সিত অভিভাষণৰ পাততে বুৰঞ্জী হৈ থাকিব নে তাৰ কাৰ্য্যকৰী কিবা কাম হব সেই হে হাই সমস্যা। আমাৰ দেশত কথাৰ আলোচনা বহুত হৈছে আৰু হব ধৰিছে, কিন্তু কাম সেই পৰিমাণে আগুৱা নাই। আমি দেখাত আৰু জনাত এই আলোচনাবোৰৰ কাৰ্য্যকৰী গড় দিব পৰা গিৰিহত হৈছে কামৰূপ অনুসন্ধান সমিতি। আমি এই সমিতিৰ ওপৰত ইয়াৰ কাৰ্য্যভাৰ এৰি দি আমাৰ আলোচনাৰ মুখনি মাৰিলোঁ। কামৰূপ অনুসন্ধান সমিতিয়ে কেনে প্ৰণালীৰে কাম হাতত ললে কাম কৰিবলৈ সহজ হব তাক আমি কেবা প্ৰসঙ্গতো



মৌন দেৱতা

আগেয়ে কৈ থৈছোঁ। আমি আগেয়েও কৈছোঁ, আৰু ইয়াতো এবাৰ কৈ থওঁ যে অসমীয়া জাতিটোক আমাৰ প্ৰবীণ সকলে কানীয়া, এলেহুৱা, সোৱোপা বুলি গৰিহণা দি আহিছে। এই গৰিহণাৰ কিন্তু কোনো ভেঁট নাই। সুযোগ পালে আৰু দিলে অসমীয়াই 'যতাহৰ দৰে যিখিনি উৰাই, বজৰ দৰে বেদিনী কঁপাই' দিব পাৰে। জাতিৰ উত্থান-পতন যদি কোনোবাই মানে, তেন্তে সেইসকলে দেখিব যে কোন তাহানিৰ অসমা অসম জননী অগণিত ৰাষ্ট্ৰবিপ্লৱ, ধৰ্ম্মবিপ্লৱ, সমাজবিপ্লৱৰ মাজেদি মাজতে মুঠ এটা শতিকাৰ কাৰণে নিস্তেজ হৈও, বুকুত পুৰণি গৌৰৱৰ অটুট সমল সাৰটি আজিও অসম হৈয়ে আছে। সন্তানসকলে এতিয়া শক্তি বাহি কৰিবলৈ ধৰিছে—অনতিপলমে জননীৰ পুৰণি হাঁহিত নতুন বিবিঙনি ফুটিব।

এতিয়া গান্ধাৰ শিল্পকলা সম্বন্ধে আমাৰ দিয়েক :—

গান্ধাৰ-শিল্পকলাক আমি বৌদ্ধ-সম্বন্ধীয় বুলি কৈ

আছিছোঁ। কৰ লাগিবও। কিয়নো বৌদ্ধসুগৰ সকলো প্ৰভাৰ গান্ধাৰ-শিল্পকলাত পৰিছে। কোনোৱে কোনোৱে কনিষ্ক অশোকৰ লগত তুলনা কৰে। ই বৰ অশোভন। অশোক পৰম ধাৰ্ম্মিক। কনিষ্কই ৰাজনৈতিক কাৰণত নতুন ধৰ্ম্ম লৈছিল। দৰাচলতে, চাবলৈ গলে কনিষ্কৰ ধৰ্ম্ম কি তাক বুজা বৰ টান। তেওঁৰ ওপৰত মাজ-এচিয়াৰ ধৰ্ম্মৰ প্ৰভাৰ বেছি যেন লাগে। আনহাতে বৌদ্ধধৰ্ম্মৰ চিনো পোৱা যায়। কনিষ্কৰ যগত প্ৰথম খৃষ্টান সম্ৰাট কনষ্টাণ্টাইনৰ তুলনা কৰিব পাৰি। দুয়োজনেই ছেগ বুজি নতুন ধৰ্ম্ম লৈছিল। কনিষ্কৰ সাম্ৰাজ্য মাজ এচিয়ালৈ বিস্তৃত আছিল। তিন্ তিন্ জাতি আৰু ধৰ্ম্মৰ মানুহ তেওঁৰ প্ৰজা আছিল। তেওঁ সেইবিলাকৰ প্ৰত্যেকলেই



হাৰীতি

সম্পদ পোৱা হব। এই কথাত সন্দেহৰ অকণো ঠাঁ নাই। আশা শুদীয়া চেষ্টাত অসমত যে অলেখ 'মহেঞ্জোদাৰো' ভাৰতৰ কেওথন প্ৰদেশৰ বিজনিত প্ৰাচীন সম্পদত ওলাব, তাক আমি ডাঠি কৰ পাৰোঁ। আৰু কামৰূপ



আৰু মথুৰা শিল্পত প্ৰচুৰ আছে। আমাৰ এই শিল্পকলাৰ যুগৰ বহু আগেয়ে শক বোৰ ভাৰতলৈ আহিছিল। আৰু সিবিলাক ভাৰতীয় হৈ যাবলৈ বহু সময় লাগিছিল। আজিকালি শাকদ্বীপৰ সন্ধান পোৱা গৈছে। শাক্যবিলাক শক আছিল বুলি মনে ধৰে। শাক্যবিলাক বৰ জাত্যাভিমানী আছিল। তেওঁলোকে তেওঁ লোকৰ সম্ৰাট কোশল-ৰাজকো ছোৱালী দিয়া নাছিল। আৰু সেই কাৰণে শাক্যবিলাক সমূলে উণান্ত হয়। গোটেই উত্তৰ ভাৰতত ডাঙৰ ডাঙৰ ৰজাসকলৰ লগত কোশলৰাজৰ বিয়াবাৰ সম্বন্ধ আছিল। শকবিলাকৰ বিশিষ্ট জাতীয়তাৰ কথা যুগ যুগান্তৰ ধৰি চলি আহিছে। দ্বৈপায়নবিলাকৰ বুৰঞ্জী আলোচনা কৰিলেও শকৰ বাতৰি পোৱা যায়। আজীবস ভৰদ্বাজ ব্ৰাহ্মণ-সকলৰ বুৰঞ্জীও সেয়ে। ভাৰতবৰ্ষত সূৰ্য্য বা মিত্ৰ উপাসনাৰ বুৰঞ্জীয়েই শকবিলাকৰ বুৰঞ্জী। ভবিষ্যপুৰাণৰ আপস্তম্ব ধৰ্ম্মসূত্ৰত এই কথা কোৱা হৈছে। এই পৰ্ব্বতে আৰু শাম্ব আৰু ৰবাহপুৰাণতো পাণ্ডৱ যে শ্ৰীকৃষ্ণৰ পুত্তেক শাম্বৰ কুষ্ঠৰোগ হোৱাত—মিত্ৰপূজাত আৰোগ্য লাভ কৰে। শাকদ্বীপৰ বামুণ আহি সেই পূজা কৰে। মগধ বা কিকটৰ ওপৰত পুৰণি আৰ্য্যালিকৰ বৰ



পক্ষপাতী আছিল। সেই কাৰণে সকলো প্ৰজা তেওঁৰ ওপৰত সন্তুষ্ট আছিল। আজিকালি উদ্ধাৰ কৰা চেণ্টেল এচিয়াটিক্ শিল্পকলাৰ চিনাকি ললেই এই কথা বুজিবলৈ সহজ হব। দিল্লীৰ চেণ্টেল এচিয়াটিক্ এণ্টিকুইটিজ্ যাদুঘৰত শক, মঙ্গোলীয়ান, পাৰস্য, চীনা—প্ৰত্যেকৰে শিল্পকলা সংৰক্ষিত হৈছে। এইবোৰ কনিষ্কৰ যুগৰ যে তাত কোনো সন্দেহ নাই।

ইয়াত এখন হাবীতীৰ আৰু ছখন আন চিত্ৰ দিয়া গ'ল। হাবীতীৰ কথা আমি যোৱা সংখ্যাত বহুকৈ কৈছোঁ। এই চিত্ৰকেইখনত গান্ধাৰ, গ্ৰীক, ভাৰতীয় আৰু শক-হেলেনীয় প্ৰভাৱ আছে।

এই তিনশ্ৰেণীৰ শিল্পকলাৰ বিষয়ে আমি মোটামুটিকৈ কিছু কথা জানিব পাৰোঁ। চিণিয়ান প্ৰভাৱ গান্ধাৰ



খং। ভবিষ্যপুৰাণত আছে, জৰথুষ্ট্ৰৰ বেদৰ বিকৃত ব্যাখ্যা কৰে। সেই জৰথুষ্ট্ৰীয় মগ-ব্ৰাহ্মণবিলাকৰপৰা মগধ নাম হব পাৰে আৰু তাৰেপৰা সেই দেশখনো দিগ ছোৱা আচৰিত নহয়। পালিভাষাৰ 'মিলিন্দ প্ৰশ্ন'ৰ পৰা বুজিব পাৰি সেই যুগত বিশাল শাকল নগৰ সমৃদ্ধিত অতুলন আছিল। সেই শাকল নাম শক সংযুক্ত। সি যি নহ'ক এইবোৰ দীঘলীয়া বুৰঞ্জীৰ ইয়াত অৱতাৰণা কৰিব নোৱাৰি। শক-সংস্কৃতি কনিষ্কৰ তেজেৰেই বৈছিল, তেওঁৰ ৰাজ্যৰ মাজঠাই গান্ধাৰত কুশান-যুগত শকপ্ৰভাৱৰ চিনাকি স্বাভাৱিক। গান্ধাৰ শিল্পৰ ভিন্ ভিন্ অলঙ্কাৰত, মুখৰ কঠিন ভাৰত আৰু বিশিষ্ট গঠন ইত্যাদিত ভালকৈ তাৰ পৰিচয় পোৱা যায়।

এই ছবিবোৰৰ এখন হৈছে গ্ৰীক্ দেৱতা হাৰ্পোক্ৰেটাচ বা নীৰৱতাৰ দেৱতা। পাশাছ এথেনীৰ সন্ধানো আমি গান্ধাৰত পাই আহিছোঁ। এই দুখন ছবি গান্ধাৰ শিল্প-কলাৰ গ্ৰীক্ যুগৰ।

শিল্প আৰু সাহিত্য

—শ্ৰীসুবেন্দ্ৰ মোহন দাস এম-এ

এচিয়াৰ পৰা সভ্যতাৰ কেন্দ্ৰ ক্ৰমাৎ য়েতিয়া পশ্চিমৰ ফালে যায় তেতিয়া আমি আমাৰ সীমাবদ্ধ সভ্যতাৰ ভিতৰত বৰ মাই আছিলোঁ। মোগল পাঠানৰ দিনত আমাৰ সমাজৰ বা সাহিত্যৰ একো লবচৰ ছোৱা নাই। কিন্তু ইংৰাজী শিক্ষাৰ লগে লগে আহিল বিশ্বৰ বাৰ্ত্তা আৰু বিদেশৰ পৰা আমদানি কৰা আৰ্ট (art)। আৰ্ট শব্দটোৰ ব্যাপক অৰ্থই সুনীতিক সংহাৰ কৰিব ওলাইছে বুলি বহুতৰ ভয় হৈছে। আমাৰ সমাজ-জীৱনৰ ওপৰত শিল্পতকৈ সাহিত্যৰ প্ৰভাৱ বেছি। সেই কাৰণে সাহিত্যত আটক কিমান ঠাই দিয়া যুগুত হ'ব তাকে ভালকৈ বুজি-বাৰি চোৱা উচিত।

শিল্প বুলিলে আমি কাক কাৰ্য্য, নাচ, বাজন আদি বুজোঁ। প্ৰাচীন ভাৰতত শিল্পৰ বহুতো উৎকৰ্ষ সাধিত হৈছিল আৰু এতিয়াও ভাৰতীয় শিল্পৰ প্ৰাধান্য বহুতো সভ্য দেশত স্বীকৃত হৈছে। সাধাৰণতে আমি শিল্প শব্দটোক ইংৰাজী আৰ্ট (art) শব্দটোৰ প্ৰতিশব্দৰূপে ব্যবহাৰ কৰোঁ। কিন্তু দবাচলতে আমাৰ শিল্প শব্দটো ইংৰাজী আৰ্ট (art) শব্দটোৰ সঠিক প্ৰতিশব্দ নহয়।

আৰ্ট শব্দটো বেছি ব্যাপক। কবিতা উপন্যাস, নাট আদিও আৰ্টৰ ভিতৰত পৰে। আমাৰ শিল্প সংজ্ঞা আৰু সাহিত্যৰ সংজ্ঞা একে নহয় কিন্তু শিল্পক আৰ্টৰ (art) প্ৰতিশব্দ বুলি ধৰি বহুতে শিল্পৰ সংজ্ঞা আৰু সাহিত্যৰ সংজ্ঞা প্ৰায় একে কৰি লৈছে আৰু লাভৰ ভিতৰত আমাৰ প্ৰাদেশিক জাতীয় সাহিত্য বোৰত কুৰুচি দেখা দিছে। "Art for art's sake" কথা ফাঁকিৰ দোহাই দি অসংযত চিত্তবৃত্তিৰ উত্তেজনাকে প্ৰেম বুলি বুজাবৰ চেষ্টা কৰা হৈছে—কদাচাৰী হলেই যেন নৰনাৰীৰ চৰিত্ৰ স্বাভাৱিক আৰু মনুষ্যোচিত হয়। তেওঁলোকৰ পক্ষে শিল্পীয়ে অকল সৃজনৰ আনন্দৰসৰ সৃষ্টি কৰিব—আন উদ্দেশ্য নাই। ৰস সৃষ্টিই যেতিয়া আৰ্টৰ উদ্দেশ্য তেতিয়া ধাৰ্ম্মিকৰ ধৰ্ম্ম, সামাজিক নিয়ম আৰু নীতি মানি কাম কৰিবলৈ এওঁলোকে বাধ্য নহয় কাৰণ তেতিয়া আৰ্ট সীমাবদ্ধ হয়।

আমি আগতে কৈ আহিছোঁ যে আমাৰ শিল্প বেলেগ বস্তু আৰু সাহিত্য বেলেগ বস্তু। ইংৰাজী আৰ্ট (art) শব্দটোৱে হে সাহিত্যকো বুজায়। সমাজ-জীৱনৰ ওপৰত সাহিত্যৰ প্ৰভাৱলৈ মন কৰি আমাৰ জাতীয় সাহিত্যত আৰ্টক কিমানখিনি ঠাই দিয়া উচিত তাকে বিবেচনা কৰিব লাগে। আৰ্ট (art) শব্দটোৰ সঠিক প্ৰতিশব্দ আমাৰ ভাষাত নাই দেখি শিল্প শব্দটোকে আৰ্ট শব্দটোৰ প্ৰতিশব্দ ৰূপে আমি এই প্ৰৱন্ধত ব্যৱহাৰ কৰিছোঁ।

আৰ্টৰ ঘাই উদ্দেশ্য সৌন্দৰ্য্য সৃষ্টি। পাশ্চাত্য জগতত আৰ্টক ওখ আসন দিয়া হৈছে। আৰ্টেই জাতিৰ শ্ৰেষ্ঠ সম্পদ আৰু সাধাৰনতে আৰ্টৰ কৃতিত্বলৈয়ে সভ্যতাৰ বিচাৰ কৰা হয়। তেওঁলোকৰ মতে ধৰ্ম্ম, সাম্প্ৰদায়িক ভাব, আৰু দৰ্শন অলপ মানুহৰ ভিতৰত সীমাবদ্ধ কিন্তু আৰ্ট অসাম্প্ৰদায়িক আৰু ব্যাপক। শিল্পই সদায় নতুন নতুন বস্তু বা ভাৱ সৃজন কৰে আৰু জাতি, কাল নিৰ্ব্বিশেষে মানৱ হৃদয়ত অনুভূতি দিয়ে বুলি ধৰ্ম্ম দৰ্শনতকৈও তাৰ ঠাই ওপৰত। এনেকি বিজ্ঞানতকৈও তাৰ আদৰ বেছি। শিল্প মাত্ৰেই মহৎ বস্তু নহয়, আৰ্ট কল্যাণজনক হবও পাৰে নহবও পাৰে। পাশ্চাত্য জগতত নিৰ্ব্বিচাৰে শিল্পৰ অতি আদৰ কৰা হৈছে বুলিব পাৰি। শিল্প শক্তিশালী বস্তু গতিকে তাক শুভ পথত পৰিচালিত কৰা উচিত। যি বিলাক শিল্প অইন দেশত অকল সুখ সম্ভোগ আৰু বিলাস কামনা চৰিতাৰ্থ কৰিবৰ উপায় বুলি বিবেচিত হৈছে, হিন্দুৰ প্ৰতিভাই সেই বিলাক শিল্পৰ মাজত মানৱ মনক বিষয় সুখৰ পৰা আঁতৰাই ভগবদ্‌মুখী কৰিবৰ উপায় উলিয়াবলৈ প্ৰয়াস পাইছে। প্ৰাচীন ভাৰতত যদিও শিল্পৰ যথেষ্ট উৎকৰ্ষ সাধিত হৈছিল তথাপি তাক ধৰ্ম্ম বা দৰ্শনৰ ওপৰত ঠাই দিয়া নাছিল। হিন্দুৰ প্ৰতিভাই সকলো ৰকম শিল্পৰ সহায়েৰে ধৰ্ম্ম প্ৰচাৰ কৰিব চেষ্টা কৰিছে। ভাৰতত শিল্পক ধৰ্ম্মৰ কাৰনে নিযুক্ত কৰাৰ উৎকৃষ্ট নিদৰ্শন ৰামায়ণ, মহাভাৰত। অকল কাব্য নহয়, হিন্দুৰ সকলো ৰকমৰ শিল্প ধৰ্ম্মৰ লগত জড়িত। হিন্দুয়ে সকলো ৰকমৰ শিল্পৰ সহায্যত ধৰ্ম্মভাৱ প্ৰচাৰ কৰিবলৈ প্ৰয়াস পাইছে। প্ৰাচীন সকলোতে ধৰ্ম্মভাৱ দেখিবলৈ পোৱা যায় সেই কাৰনেই ভাৰতত সৎ সাহিত্যৰ সম্ভৱ হৈছিল। শিল্পৰ উদ্দেশ্য বিশুদ্ধ সৌন্দৰ্য্য সৃষ্টি। মহৎ কাৰ্য্য মাত্ৰকে শিল্প বুলিব পাৰি। অন্তৰৰ উপলব্ধিত যি সত্যৰ সন্ধান পোৱা যায়, যি সুন্দৰ, যি শিৱ অৰ্থাৎ মঙ্গলময় তাকেই বাহিৰত ৰূপ দি সৃষ্টি কৰাৰ নামে আৰ্ট, Art for art's sake কথাটো একেবাৰে সত্য নহয়। Art for truth's sake কথাটোৱে হৈছে আচল কথা।

সাহিত্যৰ উদ্দেশ্য হৈছে সমাজৰ সম্যক হিতসাধন কৰা। কুৰুচিপূৰ্ণ উপন্যাস আদিয়ে যদি আৰ্টৰ চিত্ৰ হয় তেন্তে আমাৰ সাহিত্যত আৰ্টৰ দৰকাৰ নাই। কাৰণ ই সৌন্দৰ্য্য নহয়, অশ্লীলতা। যি সাহিত্যই মানুহৰ সুপ্ত পশুভাৱক জগাই তোলে সি সাহিত্য নামৰ যোগ্য নহয়। বেয়া বস্তুয়ো মানুহৰ মন আকৰ্ষণ কৰে বুলি—নাৰীক অ নাৰী কৈ অঁকা বা কুৎচিতেই চৰম উদ্দেশ্য হোৱা উচিত নহয়। বিদেশী সাহিত্যৰ ভাল ভাৱ আমি গ্ৰহণ কৰিব লাগে সঁচা কিন্তু তাক আনি জাতীয়-বিশিষ্টতাৰ সাঁচত ঢালি লব লাগে। সকলো জাতিৰেই এটা বেলেগ বেলেগ বিশিষ্টতা আছে। হেজাৰ বহু মূলীয়া অইনৰ কাপোৰ কানিয়ে তাৰ ভিতৰখনৰ পৰিবৰ্ত্তন সাধিব নোৱাৰে। সি বিলাসৰ বস্তু মাথোন হৈহে থাকে। কাল্পনিক বা অস্বাভাৱিক

চৰিত্ৰক বাস্তৱ বৰ্ণত আঁকিলে সমাজত যি কাল্পনিক আছিল সেয়ে সাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰি ক্ৰমাৎ সত্য হৈ পৰিব। আমাৰ জীৱনতে সাহিত্যৰ বহুতো উপাদান আছে। জীৱন প্ৰণালীকে শ্ৰেষ্ঠ শিল্প বুলিব পাৰি—কাৰণ ই নিজৰ জীৱনৰ অনুভূতি অইনৰ মনত সঞ্চাৰিত কৰা। কল্পনা শক্তি সবল হলেই আমি আনৰ সুখ দুখ নিজৰ কৰি লব পাৰোঁ। সাহিত্যই কল্পনা শক্তি সবল কৰি তোলে। প্ৰকৃতিৰ মনোমোহা বৰ্ণনা সাহিত্যৰ এটি লাগতিয়াল সৌন্দৰ্য্য। বিশ্বপ্ৰেমে আমাৰ হৃদয় অধিকাৰ কৰে। এই প্ৰেমেই পূৰ্ণ মনুষ্যত্ব লভিবৰ প্ৰধান উপায়। বাঢ়ৈ বা খনিকৰে যেনেকৈ সাধাৰণ কাঠ বা মাটি এডোখৰকে সুন্দৰকৈ চাঁচি কাটি তাৰ ওপৰত ধুনীয়া ৰহন লগাই চিক্‌চিকীয়া কৰি পেলায়, সেইদৰে লিখকেও এটা অতি সামান্য বস্তুকে সুন্দৰ সুন্দৰ শব্দ আৰু উপমা যোজনা দি সজাই শুৱনি কৰিব পাৰে। দাৰ্শনিকে তেওঁৰ চোকা বিচাৰ বুদ্ধিৰে সমাজ, ধৰ্ম্ম আৰু নীতিৰ সূত্ৰ স্থাপন কৰে। কবিয়ে সেই বিচাৰ তৰ্কলৈ কান নকৰি নিষেধ বাধা বিধিৰ সম্বন্ধে অনভিজ্ঞ থাকিও যি ৰস সৃজন কৰে তাতে দাৰ্শনিকৰ নিৰস যুক্তি আৰু তৰ্কেৰে স্থাপিত যি সত্য, সেই সত্যকেই আপোন উজ্জ্বল কল্পনাৰ পোহৰতে আৰু বেছি উজ্জ্বল, ফট্‌ফটিয়া কৈ সাধাৰণ সমাজত প্ৰচাৰ কৰে।

অকল সৌন্দৰ্য্য-সৃষ্টিই শিল্পীৰ উদ্দেশ্য নহয়। কাৰণ সকলো সময়তে অকল সুন্দৰ বস্তু অৱলম্বন কৰিয়েই শিল্প ৰচিত নহয়। বহুত সময়ত বেয়া চৰিত্ৰ আঁকিয়ো শিল্পীয়ে প্ৰতিভাৰ পৰিচয় দিয়ে। তাৰে মানুহৰ মন আকৰ্ষণ কৰে। শিল্পৰ ভিতৰত বুদ্ধি বা কৌশল প্ৰয়োগ থাকিব লাগে। গতিকে সাধাৰণ চিঠি পত্ৰ, সংবাদপত্ৰ শিল্পৰ ভিতৰত নপৰে। কেতিয়াবা শিল্পীয়ে নিজে অনুভৱ নকৰা ভাৱকো প্ৰকাশ কৰে। দৰ্শক আৰু পাঠকে তাৰ পৰা নতুন অনুভূতি পায়। যি যথাৰ্থ শিল্পী তেওঁ মুক্ত আত্মা—মন বা বিচাৰ বুদ্ধিৰ বান্ধ কটাই নিজৰ আত্মাক সজ্ঞানে চিনিব পাৰি যথাৰ্থ অমৃতৰ সন্ধান পায়। প্ৰকৃত শিল্প সকলো সমাজৰ, সকলো মানুহৰ পক্ষে সমান উপযোগী। যেনে, সীতাৰ সতীত্ব, মিচৰৰ পিৰামিড্, কালিদাসৰ কবিত্ব ইত্যাদি। সৎ শিল্পই যেনেকৈ শুভ মনোবৃত্তিবোৰ জগাই তোলে, অসৎ শিল্পই তেনেকৈ অশুভ মনোবৃত্তিবোৰ জগাই তোলে। সাধাৰণ মানুহৰ মন সহজে আকৰ্ষণ কৰি, দুই পয়চা পাবৰ আশাতে (Catch penny writers) বিদেশৰ পৰা আমদানি কৰা আৰ্ট প্ৰচাৰ কৰিলে আমাৰ সমাজ দূষিত হব, অন্তঃপুৰ কলঙ্কিত হব। যৌৱনৰ উদ্ভণ্ডালি প্ৰেমৰ কাল্পনিক কাহিনী পঢ়ি ৰমণীবিলাকে যিমান ভাল পোৱা বুলি ভাবোঁ তেওঁলোকে তাক পৰি তিমান বেয়াহে পায়, তিমান লাজহে পায়। অকল সত্য প্ৰচাৰ কৰিলেই শিল্প নহয়, কাৰণ ভগৱদ্ প্ৰেমৰ পৰা পোৱা আনন্দ যেনে সত্য, ৰমণী সম্ভোগৰ পৰা পোৱা আনন্দও তেনে সত্য। সেই সত্যটো শিল্প আৰু সুন্দৰ হব লাগে।

আৰ্টৰ অৰ্থ অকল সৌন্দৰ্য্য সৃষ্টিই নহয়। দেশ কাল পাত্ৰ ভেদে সৌন্দৰ্য্য শব্দৰ সংজ্ঞা বেলেগ বেলেগ হয়। শিক্ষা, সংস্কাৰ আৰু প্ৰবৃত্তিৰ ওপৰত সৌন্দৰ্য্য বোধ নিৰ্ভৰ কৰে। তাহানি কালৰ বহুতো সুন্দৰ বস্তু এতিয়া অসুন্দৰ বুলি বিবেচিত হৈছে। যি সনাতন, সত্য সুন্দৰ আৰু শিৱ সিয়ে প্ৰকৃত শিল্প।

"The artist is not to speak his own words, or do his own works, or think his own thoughts, but he is to be anorgan through which the universal mind acts"

বঙ্গভাষাত এই পাশ্চাত্য আৰ্টৰ আৰ্হিৰে বহুতো গল্প, উপন্যাস লিখা হৈছে। ই বোৰে কম বয়সীয়াল মানুহৰ মন সহজে আকৰ্ষণ কৰে। আমাৰ ভাষাত উপন্যাসৰ সংখ্যা নিচেই তাকৰ। কুৰুচিপূৰ্ণ গল্প বা উপন্যাস আমাৰ সাহিত্যত নাই বুলিবই পাৰি। আমাৰ বহুতে বঙলা গল্প বা উপন্যাস পঢ়ে। এই উপন্যাসৰ যুগত সিবোৰৰ প্ৰভাৱে আমাৰ মন অতৰ্কিত ভাৱে অধিকাৰ কৰিব। এতিয়াই অলপ অচৰপ কৰিছেই। কিন্তু সাহিত্যৰ পবিত্ৰতালৈ চাই আৰু সাহিত্যৰ উদ্দেশ্যলৈ মন কৰি—আমি কুসাহিত্য অতি মধুৰ হলেও বিষবৎ ত্যাগ কৰা উচিত। যাতে বিশ্বৰ আগত আমি সাহিত্যেৰে আমাৰ চিনাকি দিব পাৰোঁ। অকল কুচিত্ৰ অঁকাকেই আৰ্ট নোবোলে। ই কল্পনা শক্তিৰ অভাৱ প্ৰমাণ কৰে মাথোন।

বৈজ্ঞানিক জগত

কটীয়াৰ পৰিবৰ্ত্তন

কটীয়াত আগেয়ে কুঠাৰেৰে গছ কটা হৈছিল। তেতিয়াৰ কাঠুৱীয়া সকলৰ গছ কাটিবলৈ কুঠাৰেই একমাত্ৰ অস্ত্ৰ আছিল। কিন্তু আজিকালি কটীয়াত চোভিয়েট গভৰ্ণমেণ্ট প্ৰতিষ্ঠা হবৰ পৰা সেইবিলাক পুৰণি প্ৰথা উঠি গৈ তাৰ পৰিবৰ্ত্তে বৈজ্ঞানিক উপায় অৱলম্বন কৰা হৈছে।



কটীয়াৰ কাঠুৱীয়াই কুঠাৰেৰে গছ কাটিব লাগিছে



চোভিয়েট কটীয়াৰ কাঠুৱীয়া সকলে (motor saw) মোটৰ কৰতেৰে গছ কাটিব লাগিছে। ইয়াৰ দ্বাৰা গছৰ একেবাৰে গুৰিতে কাটি পেলাবলৈ যায়। কুঠাৰেৰে এনেদৰে মাটিৰ সমানকৈ কটা সম্ভৱ নহয়।

বাতৰি কাকতৰ ছবি সজোৱা

আমেৰিকাৰ কোনো এখন বাতৰি কাকতৰ ছবি সংগ্ৰহ কৰি সজাই থবলৈ এনে বন্দোবস্ত আছে। কোন ছবি কোন দিনৰ কাকতত ওলাব লাগে আৰু কোন ছবি কাঁলৈ ওভোতাই পঠাব লাগে ইত্যাদি সুব্যৱস্থা কৰা হৈছে। এনেকি এইবিলাক কেতিয়া কোন বেলত নাইবা কোন এৰোপ্লেনত যাব লাগে তাকো উল্লেখ কৰা থাকে।



বাতৰি কাকতৰ ছবি সজাই থোৱা হৈছে

আমেৰিকাৰ এছোচিয়েটেড প্ৰেছৰ কাম

আমেৰিকা আদি দেশত যন্ত্ৰৰে প্ৰায় সকলো কাম কৰা হয়। দেখুৱা ছবিটো আমেৰিকাৰ (Associated Press) এছোচিয়েটেড্ প্ৰেছৰ এটা পৌটোগীৰ ছবি। ইয়াতে কেনেডা আৰু দক্ষিণ আফ্ৰিকা আদি ঠাইৰ পৰা টেলিগ্ৰাফ লোৱা হয়।



কেনেডা আৰু দক্ষিণ আফ্ৰিকা আদি ঠাইৰ পৰা টেলিগ্ৰাফ লবলৈ আমেৰিকাৰ এছোচিয়েটেড প্ৰেছৰ যি চুইচবোৰ্ড আছে, ই তাৰে ছবি।

পার্থ-সাৰথি

(আগৰ সংখ্যাৰ পিছৰপৰা)

নাট—

—শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱা, বি-এ

চতুৰ্থ অঙ্ক

৩য় দৃশ্য—কুৰুক্ষেত্ৰ

(কেতবিলাক ভয়াৰ্ত্ত কুৰুসৈন্যৰ প্ৰবেশ, বিপৰীত ফালৰপৰা কৰ্ণৰ প্ৰবেশ)

কৰ্ণ—ৰণক্ষেত্ৰৰ পৰা পলোৱা উচিত নহয়। যুদ্ধকৰা ; হয় জয়লাভ, নহয় স্বৰ্গলাভ।

এটা সৈন্য—অনন্তৰ মহাৰাজ! ভীমে ৰাক্ষস মূৰ্ত্তি ধৰি সৈন্য সংহাৰ কৰিছে। মহাৰাজ দুৰ্য্যোধন আৰু সৌৱলৰাজ আদি কৰি সকলো তেওঁৰ ভয়ত পলাই গৈছে। ৰণে পবাজিত।

কৰ্ণ—ভয় নাই, মই আছোঁ, যুদ্ধ কৰা। (এনেতে বিপৰীত ফালৰপৰা সাত্যকি, নকুল, সহদেৱ আদি পাণ্ডৱ-সৈন্যবলে প্ৰবেশ কৰি কৰ্ণৰ লগত যুদ্ধ কৰে। কৰ্ণ আৰু দ্ৰৌপদীৰ বীৰসকলে পাণ্ডৱবীৰসকলক খেদি নিয়ে। ইয়ান্ত আৰু অশ্বত্থামাৰ যুদ্ধ কৰি কৰি প্ৰবেশ)

অশ্বত্থামা—মই পিতৃহন্তাৰ প্ৰতিশোধ নোলোৱালৈকে ৰণে পলাবি দৃষ্টদ্যুম্ন!

দৃষ্টদ্যুম্ন—ভয় নাই অশ্বত্থামা! ক্ষত্ৰিয়ই যুদ্ধক্ষেত্ৰৰপৰা পলায়।

(যুদ্ধ কৰি দৃষ্টদ্যুম্নক খেদি অশ্বত্থামাৰ প্ৰস্থান, গদা ঘুৰাই ঘুৰাই ভীষণ বেগেৰে ভীমৰ প্ৰবেশ)

ভীম—আৰু কোন ক'ত আছ কৌৰৱ কুলাঙ্গাৰ! পলাইছ কিয়? আজি শত্ৰু বধ কৰি হেঁপাহ পলাইছে। শকুনি আৰু দুৰ্য্যোধন যুদ্ধক্ষেত্ৰৰ পৰা পলাই গৈছে। ছিঃ! লাজ নাই। ক্ষত্ৰিয় হৈ যুদ্ধক্ষেত্ৰৰ পৰা পলাই যায়। দুশাসন আৰু দুৰ্য্যোধন বাকী। চাওঁ কৰ্ণই তহঁতক কেনেকৈ ৰক্ষা কৰে! (যাৰ খোজোতে বিপৰীত ফালৰ পৰা দুঃশাসন আৰু কুৰুসৈন্যৰ প্ৰবেশ।)

দুঃশাসন—সাৱধান বৃকোদৰ! সাধাৰণ সৈন্য বধ কৰি ইমান অহঙ্কাৰ কৰিবলৈ লাজ লগা নাইনে?

ভীম—দুঃশাসন! মহাবীৰ! নিৰীহ সৈন্যবিলাকক আগবঢ়াই দি লুকাই থাকিবলৈ তোৰ লাজ লগা নাই! আহ কুলাঙ্গাৰ! দ্ৰৌপদীৰ অপমানৰ প্ৰতিশোধ লওঁ।

দুঃশাসন—মোৰ সকলো ভ্ৰাতৃ বধ কৰি তোৰ সাহ বাঢ়িছে। আজি তাৰ প্ৰতিশোধ।

ভীম—দুঃশাসন! আজি তোক সাক্ষাৎ কন্দয়ো ৰক্ষা কৰিব নোৱাৰে।

(দুযোৰো ভয়ঙ্কৰ গদাযুদ্ধ, একালে ভীম, আনফালে দুঃশাসন, লগে লগে কেতবিলাক সৈন্য। কেইবাবাৰো খেদাখেদিকে প্ৰস্থান আৰু বিপৰীতফালে প্ৰবেশ। এইদৰে এবাৰ দুঃশাসন মূৰ্চ্ছিত হৈ পৰে। ভীমে ৰাক্ষসমূৰ্ত্তি ধৰি চিঞৰি বুকুৰ ওপৰত বহে)

কুৰুসৈন্য—হেৰ! পলা, অ' পলা, এইটো ৰাক্ষস।

ভীম—(ডাঙৰকৈ) মই দুঃশাসনৰ ৰক্ত পান কৰিম। কোন ক'ত আছ, পাৰ যদি ৰক্ষা কৰহি। আহ কাপুৰুষহঁত! দুঃশাসনক ৰক্ষা কৰহি।

[চাৰিওফালৰ পৰা ভীমৰ গাত কাঁড় পৰে। ভীমে হাতেৰে আটাইবিলাক নিবাৰণ কৰে। এনেতে নকুল, সহদেৱ, দৃষ্টদ্যুম্ন আদি বীৰসকলে প্ৰবেশ কৰি চাৰিওফালে কুৰুসৈন্যবিলাকক খেদি নিয়ে। ভীমে ভয়ঙ্কৰ গোজৰবনি মাৰি দুঃশাসনৰ বুকু ফালি তেজ পিয়ে।]

ভীম—আজি মোৰ তৃপ্তি হৈছে। দ্ৰৌপদীৰ অপমানৰ

প্রতিশোধ। আজিবপবা দ্রৌপদীয়ে থোপা বান্ধিব পাবিব। (বন্ধা হাত চাই) কি সুন্দব উপকবণ! ইয়াবে আজি দ্রৌপদীয়ে মুব মেলাব। [প্রস্থান

(দুর্যোধনব প্রবেশ)

দুর্যোধন—হায় ভাই দুঃশাসন! আজি মই অকলশবীয়া হলো, মোব আশা ভবসা সকলো লুপ্ত হল। হে বিধাতা! মহামানী দুর্যোধনব কপালত ইয়াকে লিখিছিলা? বাক্ষস ভীমব সকলো প্রতিজ্ঞা পূর্ণ হৈছে। মোব উৰুভঙ্গ বাকী। পাবে যদি ভীমে প্রতিজ্ঞা পূর্ণ কবক। বস্তি দুমাবলৈ হলেও জলিব লাগিব।

(শকুনিব প্রবেশ)

শকুনি—ভাগিন! বেজাব কবিলে কি হব? বলা যুদ্ধ কবাগৈ। প্রতিশোধ লোৱা।

দুর্যোধন—যুদ্ধ নেবো মামা! মোব দুঃশাসনক হেকৰাই পৃথিবী শূন্য লাগিছে। আজি বব বিষম দিন। পিতৃ মাতৃক আজি কোনে সান্ত্বনা দিব!

শকুনি—যুদ্ধ ক্ষত্রিয়ব ধর্ম্ম, সন্মুখ সংগ্রামত মৃত্যু হোৱাও সেই একে ধর্ম্ম, পোনে পোনে স্বর্গলাভ। পাণ্ডবে অকল দুঃশাসনক বধ কবি এবা নাই। কৌৰবব সকলো বীবকে বধ কবিছে। কর্ণপুত্র বৃষসেনক অর্জ্জুনে বধ কবিলে। কর্ণকো আজি বধ কবিবলৈ প্রতিজ্ঞা কবিছে।

দুর্যোধন—মামা! মোব কি হব?

শকুনি—দেখা যাঁক ভাগিন কি হয়। আমি আছোঁ নহয়। বলা ভাগিন, অবশ্য নহবা, যুদ্ধলৈ বলা।

[দুর্যোধনব লাহে লাহে তললুব হৈ প্রস্থান।

শকুনি—হাঃ হাঃ হাঃ মহাবাজ মহামানী—অত্যাচাবী দুর্য্যোধন! কুলাঙ্গাব—অনাচাবী দুঃশাসন! কেনে শাস্তি! পাপব পবাচিত হাতে হাতে। পিতা! খুব তৃপ্তি নহয়! ভাইহঁত! ৰ'বা, আকৌ অলপ আছে। গৈছোঁ। [প্রস্থান

৪র্থ দৃশ্য—কুৰুক্ষেত্রব একাংশ

(অর্জ্জুন আৰু শ্রীকৃষ্ণব প্রবেশ)

শ্রীকৃষ্ণ—আজি পাণ্ডবব জয় নিশ্চিত। অর্জ্জুন! ভীমে দুঃশাসনব বক্ত পান কবি প্রতিজ্ঞা বক্ষা কবিছে। তুমি কর্ণ বধ কবা। সৌৱা ভুবনবিজয়ী মহাবীব কর্ণ দ্বিতীয় সূর্য্যব দবে বণক্ষেত্রত অৱতীর্ণ হৈছে। আজি কর্ণব কবি প্রতিজ্ঞা বক্ষা কবা।

অর্জ্জুন—সখি! আজি হয় পার্থ, নহয় কর্ণ নিধন হব। (এনেতে কর্ণই অর্জ্জুনলৈ শব মাবে)

শ্রীকৃষ্ণ—কর্ণই যুদ্ধ আৰম্ভ কবিছে। সাবধান অর্জ্জুন!

(অর্জ্জুন আৰু কর্ণব যুদ্ধ)

কর্ণ—মধুপতি! আজি অর্জ্জুনক বক্ষা কবা। (শব মাবে, অর্জ্জুনব মূর্চ্ছা। কৃষ্ণই ধবি প্রকৃতিস্থ কবে)

শ্রীকৃষ্ণ—ভয় নাই কর্ণ তুমি তোমালৈ চিন্তা কবা। অর্জ্জুন! চোৱাঁ সৌ ভয়ঙ্কব অস্ত্র কর্ণই এতিয়া প্রয়োগ কবিব। ই সর্পাস্ত্র। খাণ্ডবদাহ কবোতে তুমি এই সর্পব মাতৃক বিনাশ কবিছিলা। তাব প্রতিশোধ লবব নিমিত্তে সর্পই অস্ত্ররূপে কর্ণক ধবা দিছে। সাবধান অর্জ্জুন! (অস্ত্র আহে)

অর্জ্জুন—(ঘনে ঘনে অস্ত্র প্রয়োগ কবি) অসম্ভব সখি! এই অস্ত্র ব্যর্থ কবা অসম্ভব!

শ্রীকৃষ্ণ—অসম্ভব! কি কবা যায়! (শ্রীকৃষ্ণই বথৰ আঁঠাকাড়ি বহুতাই দিয়ে। সর্পাস্ত্র অগ্নিব নিচিনা হৈ অর্জ্জুনব মুবব কিবীটি কাটি লৈ গুচি যায়)

অর্জ্জুন—সখি! কথমপি বক্ষা। তুমি সাবধি নোহোৱা হলে আজি মৃত্যু নিশ্চিত। (কৃষ্ণব ওপৰত পুষ্পবৃষ্টি) পুষ্পবৃষ্টি কিয়?

শ্রীকৃষ্ণ—তোমাক বক্ষা কবাব নিমিত্তে ইন্দ্রাদি দেৱতা সকলে আনন্দ প্রকাশ কবিছে।

নেপথ্যত—(ওপৰ ফালব পবা) কর্ণ! মোক আকৌ সন্ধান কবা, লক্ষ ভ্রষ্ট হল। প্রতিশোধ এইবাব নিশ্চয়।

শ্রীকৃষ্ণ—তোমাব ইচ্ছাই দিয়া কিবীটি কটা গল অর্জ্জুন! সাবধান! সেই সর্পাস্ত্র কর্ণই প্রহাব কবিব। ভয় নাই, সর্প মুব কাটি পেলোৱা।

(সর্পবাণ আকৌ আহে, অর্জ্জুনে দিব্য বাণ মাবি কাটি পেলায়)

কর্ণ—সর্পবাণ ভ্রষ্ট কবি নিশ্চিন্ত হবব আবশ্যক নাই। অর্জ্জুন সাবধান!

(আকৌ যুদ্ধ। যুদ্ধ কবি থাকোঁতে হঠাৎ কর্ণব

ৰথৰ চকা পৃথিবীয়ে গ্রাস কবে, কর্ণই একে জাপেই নামে)

শ্রীকৃষ্ণ—কি চাইছা অর্জ্জুন! কর্ণক বধ কবা।

কর্ণ—(কৰুণ সুবে হাতযোৰ কবি) ক্ষণেক ক্ষমা কবা অর্জ্জুন! বসুমতীয়ে মোৰ ৰথচক্র গ্রাস কবিছে। মোক বধ উদ্ধাব কবিবলৈ দিয়া। হে অর্জ্জুন! ক্ষত্রিয়ই শবণাগতলৈ অস্ত্র প্রয়োগ নকবে। তুমি ধার্ম্মিক, মহৎ; তোমাক মই প্রার্থনা কবিছো, ক্ষণেক অপেক্ষা কবা, তুমি বথব ওপবত, দুর্ভাগ্যবশতঃ মই মাটিত, কৃষ্ণব পবা ভয় নাই। তুমি ক্ষত্তেকলৈ মাত্র অভয় দিয়া।

শ্রীকৃষ্ণ—বিপদ কালত মাত্র ধর্ম্মচিন্তা, দ্রৌপদীব বস্ত্রহবণ আদি অন্যায় কার্য্যব সময়ত ধর্ম্ম কঁত পৈছিলা? কোন ধর্ম্মমতে সপ্তবথীয়ে বেঢ়ি শিশু অভিমন্যুক বধ কবিলা? অর্জ্জুন! বিহব ঔষধ বিহ। আৰম্ভক হলে অন্যায়ক অন্যায়েবে উন্মূলিত লাগিব। অস্ত্র প্রয়োগ কবা, মনত বাখিবা, কর্ণও এজন অভিমন্যুব হত্যাকাৰী।

অর্জ্জুন—ক্ষমা নাই কর্ণ! অভিমন্যু বধ মনত পৰিলে হিয়া এতিয়াও পোবে, শিশুবধী দুষ্কৃতব প্রতি ক্ষমা নাই। ক্ষমা অসম্ভব। (অস্ত্র প্রয়োগ, কর্ণই মাটিব পবা যুদ্ধ কবে)

কর্ণ—ছিঃ এয়ে তোমাব ধর্ম্ম!

অর্জ্জুন—তোমালৈ মোৰ ধর্ম্ম নাই। (ছয়োবে যুদ্ধ, অর্জ্জুন মূর্চ্ছিত হয়, কর্ণই বথচক্র উদ্ধাব কবিব খোজোতেই কৃষ্ণব পবিচর্য্যাত অর্জ্জুনে জ্ঞান পাই উঠে)

শ্রীকৃষ্ণ—কি চাইছা অর্জ্জুন! কর্ণক তুবন্তে বধ কবা। (অর্জ্জুনে যুদ্ধ কবে, কর্ণযো চকা এবি যুদ্ধ কবে)

কর্ণ—তোমাব ক্ষমাব আৰশ্যক নাই, অর্জ্জুন! যদুপতি! তুমি বেছ ধার্ম্মিক!

শ্রীকৃষ্ণ—কি কবিবা কর্ণ! উপায় নাই।

(অনেক পব যুদ্ধব পিছত অর্জ্জুনে জ্যোতির্ম্ময় শবেবে কর্ণ বধ কবে, আকাশ বন্ধা হয়, পৃথিবী কঁপি উঠে)

কর্ণ—ধা—স্মিক—য—দু—প—তি.....অ—র্জ্জুন!

(কুৰুসৈন্য কিছুমানব প্রবেশ আৰু কর্ণক বেঢ়ি হাহাকাব)

শ্রীকৃষ্ণ—কর্ণবধ অসম্ভব ঘটনা, অর্জ্জুন! যাবৎ চন্দ্র দিবাকব পৃথিবীত সুখ্যাতি বাখিলা। মহাবীব কর্ণ পবিল। পৃথিবী লাৰি গল, সৌৱা তেজস্বী কর্ণব তেজ সূর্য্যব লগত মিল হল। আজি যুধিষ্ঠিবব বাজ্য লাভব কোনো বাধা নাই। তোমাব প্রতিজ্ঞা পূর্ণ হৈছে। সন্ধ্যা হল। বলা অর্জ্জুন! ধর্ম্মবাজক এই শুভ সংবাদ দিওঁগৈ।

[প্রস্থান

৫ম দৃশ্য—কুৰুক্ষেত্র

(জোনাক বাতিব চকানকা পোহৰ, ভৈৰবীসকলব গীত)

চকামকা পোহৰব জোনালী বেথাটি,
আকাশ আবৰিলৈ ধবিছে সাবটি,
কাল লিখনী লৈ নিয়তি আকিছে
ধবাব হিয়াত সৌ বিষাদৰ ছবি।
বিকট হাঁহিটি লৈ প্রকৃতি হাঁহিছে,
তেজৰ সোঁতত বৈ কাল খেলা খেলিছে
নিজান নিজান প্রাণ ঘনে কঁপি উঠিছে
অজান কৰুণ সুবে উঠিছে শিয়বি। *

সন্ত—(হাতত জোৰ লৈ শ চাই চাই ফুবে) বেছ শুনিছোঁ মোৰ বাধিনীইত! গোৱা, বব বং পাইছা নহয়! ক'বাত পাছে কঙ্কে গিলিব।

১মা ভৈৰবী—মাতটোত চিনি পাওঁ যেন লাগিছে মাদুহজনক।

২য়া ভৈৰবী—বাক আমাব সন্ত নহয়নে?

১মা ভৈৰবী—হেৰি আপুনি কোন?

সন্ত—এ—পূর্ণিমাব জোন। পাছে ডাৰবীয়াব হে।

২য়া ভৈৰবী—পূর্ণিমাব জোন আকাশত হে থাকে, এই মবিশালিখনত কি আৰশ্যক?

সন্ত—বব কথাটো সুধিলা। জোন, তবা, বেলি এই বিলাকব মানত জানো কিবা বেয়া ভাল আছে? পূর্ণিমাব জোনব মানত বজাব কাবেং যেনেকুবা তোমাব আমাব ভগা বহাও তেনেকুবা। দুর্য্যোধন বজাও যেনেকুবা মৰো তেনেকুবা। বজাব জীয়েকব গোলাপী গালকিখনত যিটো পীবিতি তোমাব ফেঁচা বদনখনতো সেই একেই।

* শ্রদ্ধাস্পদ বন্ধু—শ্রীযুত অগেষব বৰঠাকুবদেবব অনুগ্রহত।

১মা ভৈঃ—বাকী আছে কি ?

সন্ত—বাকী নাই দেখিছে কৈছোঁ। কথাযাৰ কণ্ঠতে অলপ বিম্বৰে গলদেই। তোমালোকক বঞ্জাব জীয়াবী হে বুলিছো বুইছা। তোমাব হৈছে কথাৰ লৰজ।

২য়া ভৈঃ—বাক সেইবোৰ পাংগা, আমাক বাঘিনী বুলিছা কিয় ?

সন্ত—নকলেও নোৱাবো ফটা মুখ কলেও লাগে ভকতব দোষ, অ' শ্রীবিষ্ণু ভকতনীব দোষ। এস দেও মুখখন কিবা। নহয়, নহয়, বঞ্চাব জীয়াবীইতব দোষ। বাক বাঘিনী দুবুলিনো মানুহ কেনেকৈ বোলো, বাতি মবাব মাজত মানুহ থাকে জানো ?

৩য়া ভৈঃ—কি হব কলে ডাঙ্গবীয়া, পাবোতে ফুবিছোঁনে ? ঘাবকাব পবা আমাব প্রভুব লগে লগে ঘুৰব ঠাইলৈকে আহিলো। ইয়াত আহি যদুপতিব প্রিয় সহচব সন্তক লগ পালো, তেওঁ কলে, ইয়ালৈ আহিলা যেতিয়া বুঢ় ভগাব পাছত গধুলি গধুলি সেই এধা মবা মানুহবোৰ বিচাবি বিচাবি শুশ্রূষা কবিবলৈ ধবা। তেওঁব কথা মতেই আমি সদায় তাকে কবি আছো। কি কম ডাঙ্গবীয়া জীবব অৱস্থা। বীববোৰ মবিলে সিবিলাকব যে তিবোতাবিলাক আহি গধুলি হোৱা মাত্রকে বিননি ধবেহি, বুকু ফাটি যায়। যুদ্ধ শেষ হবব হোৱা নাইনে ডাঙ্গবীয়া ?

সন্ত—কেলেই নাই হোৱা হোঁ, কৰ্ণই কাণ পেলালেই ; দুর্য্যোধনে কর্ণ মবা মাত্রে শল্য বোলা ডোখবক সেনাপতি পাতিছে। সেই ডোখবলৈ অর্জ্জুন-চর্জ্জুনব আৱশ্যক নকবে। কাইলৈ ওলালেই কোনোবাই বহাব।

৩য়া ভৈঃ—আমি সন্তক লগ পালে যাবই পাবিলো হেতেন।

সন্ত—বোলো তোমালোকব সন্ত অস্ত হল বা, অর্থাৎ সিফলীয়া হল বা।

৩য়া ভৈঃ—নকব ডাঙ্গবীয়া তেনে কথা, আমাব বুকু ফাটি যায়।

সন্ত—তেন্তে সম্বন্ধত সন্ত তোমালোকব ঘবব মানুহ জনেই নেকি ?

২য়া ভৈঃ—(তলমুব কবি) আমাব ভাগ্যত সিমান নাই, মানুহজনক হলে ভাল পাওঁ।

(ভৈববীহঁতে তলমুব কবে)

সন্ত—তেন্তে তোমালোকব মন নাইকিয়া, নহয়।

৩য়া ভৈঃ—আমাব প্রভুবে আদেশ দিলেহে হৈছে।

সন্ত—সেইটো বাক দেখা যাব, মোব বাঘিনীহঁত, সন্ত বব টেঙ্গব মানুহ, মই তেওঁক লগ পায়েই থাকো, গাটো বচাই ফুবিছে যদিও সন্ত বব বীব দেই, কত ডাঙ্গব ডাঙ্গব বীব সন্তব হাতত মবিছে। সেইটোৱে তহতক মোব বুলিবে বহালি হলে দেই। বাক যুজ শেষ হক, সন্ত বাঘব ঘবক তহঁত তিনিজনী বাঘিনীবে সৈতে পাতি দিম। বাগেৰে সন্ত অন্ত নোহোৱালৈকেই থিবাং।

১মা ভৈঃ—ক'ব অ' এইটো ! বাক সেইবোৰ কথা নালাগে। মানুহবোৰ আওমবণে কেলৈ মবিছে ?

সন্ত—হাত-ভবিয়ে কুটকুটাইছে।

১মা ভৈঃ—সঁচাকৈয়ে কওকচোন।

সন্ত—বাক, ঘব এবি তোমালোক ইয়ালৈ কেলৈ আহিছা ?

১মা ভৈঃ—কেলৈ আহিছো কেনেকৈ কম। কৃষ্ণই যেন আমাক টানি আনিছে।

সন্ত—ইহঁতবো ঠিক সেই একেপাত কথাই, ইহঁতব টিখিলখিলনি বেছি হল। অলপ পিথবীখনে তত পক বুলিলেই এনে কবা হৈছে। সিহঁতেও ঠিকেকে কব নোৱাবে, কেলৈ মবিবলৈ আহিছে। টানি অনাই তেওঁবিলাকো আনিছে, তোমাক আমাকো আনিছে। বাক যাবাহে। (অলপ গৈ ঘুবি আহি) সন্তক লগ পালে তোমালোকব কথা কম। (স্বগতঃ) মোকে বিচাবে মোকে চিনি নেপালে। সিহত কৃষ্ণব পবা গৈ এই নিছলা সন্তক লাগিলহি। মুখ চাই হে গবাহ। এই বনবীয়া বাঘিনী কিজনী পুহি ঘব লগোৱাটো এটা বাহাদুবিয়েই হব।

[প্রস্থান

৩য়া ভৈ—আমিও যাওঁ বলা।

২য়া ভৈঃ—(আঁতবলৈ চাই) ৰবাচোন সোৱা ইনাই বিনাই মাইকী মানুহ এগবাকী আহিছে, কোন নো চাওঁ চোন।

১মা ভৈঃ—মোব মনত হলে এটা খুদুৰনি থাকিল। আমি লগ পোৱা মানুহজনক মই হলে সন্ত যেন পাওঁ পাই।

২য়া ভৈঃ—থ থ, তই সওটো দেখিলি বব আইহে।

(পদ্মাব আউলী-বাউলী হৈ প্রবেশ)

পদ্মা—ক'ত আছে, কোনে নিলে মই নেদেখাকৈ। (অলপ ডাঙ্গবকৈ কান্দি) হেবা তোমালোকক কাবো কবি মাতিছো মোক দেখুৱাই দিয়া, মোব স্বামীক দেখুৱাই দিয়া, মোব দেৱতাক দেখুৱাই দিয়া।

৩য়া ভৈঃ—কাব কথা কৈছে আই ?

পদ্মা—(কান্দি) কেলৈ মোব স্বামীব—তোমালোকে মোব স্বামীক চিনি নোপোৱা ? পোৱা পোৱা, মিছাকৈ কৈছোঁ।

৩য়া ভৈঃ—সঁচাকৈয়ে চিনি নাপাওঁ আই। আপুনি অলপ ধৈর্য্য ধবকচোন। (ভৈববীহঁতে ধবে)

পদ্মা—তহঁত বাঞ্চসী, মোক নধবিবি, মোব দেৱতাক দে মই যাওঁ।

২য়া ভৈঃ—আমি চিনি পোৱা নাই, আই !

পদ্মা—চিনি নেপাবি কিয়, লোকব সুতপুত্র, মোব দেৱতা, হেব মোব দেৱতা। (কান্দে)

১মা ভৈঃ—আপুনি মহাবীব কর্ণব ভার্য্যা। অঙ্গ দেশব অধীশ্বৰী, আপোনাব পতি সমুখ সংগ্রামত পবি স্বর্গগামী হৈছে। তেখেতব শবীব সংকাব কবিবলৈ নিব পায়। আপুনি কিয় কাবেঙব পবা আহিল ? আপোনাক চাগৈ বিচাবি ফুবিছে।

পদ্মা—(কান্দি) সিহঁতে মোব পতিক যমব মুখলৈ ঠেলি দি, মোক ধবি বাখিছিল, মই পলাই আহিছো—মোব পতিক নিবলৈ।

১মা ভৈঃ—আপোনাক চাগৈ সকলোৱে বিচাবি ব্যস্ত হৈছে।

পদ্মা—হক হক, আক হব, মোব পতি সূর্য্যপুত্র মহাবীব। (মুখ ভুকুৰায়)

১মা ভৈঃ—(আদবেবে ধবি) ক্ষত্রিয়ব ধর্ম্ম সেয়ে আই !

পদ্মা—(থং আক বেছাবেবে) মৃত্যু ক্ষত্রিয়ব ধর্ম্ম হব পাবে, কিন্তু বৈধব্য আমাব ধর্ম্ম নহয়।

১মা ভৈঃ—ঈশ্বৰব ইচ্ছা তেনেকুবাই আই।

পদ্মা—তেনে ঈশ্বৰক ধবি দিব নোৱাবনে মই নেলু টিপি মাবি পেলাওঁ। ঈশ্বৰব ইচ্ছা নহয় মানুহব মুকথালি।

(বৃষকেতুব কান্দি কান্দি প্রবেশ)

বৃষকেতু—এইয়া, আই ! আই ! পিতৃয়ে আজি এবি গল। তুমিও এবি যাব খুজিছা নেকি ? তোমাক বিচাবি সকলো উত্তাবল হৈছে।

পদ্মা—পিতাবে এবিলে, বৃষসেনে এবিলে। তই আছ আছ, (সাবটি ধবি) তোক,—তোক নিদিওঁ। যমব মুখলৈ তোক যাবলৈ নিদিওঁ। এই হত্যাকাণ্ডব যি কাবণ, সি তাব নিজব মুব দিয়ক, তোক আক নিদিওঁ। (কান্দে)

বৃষকেতু—আই !

পদ্মা—তই যাব নোৱাব বাছা। তোব আয়ুস মোব মুঁবব চুলিব সমান হক, মোব নাম পিতাবব নাম তই বাখিবি। মোব শেষ হল।

বৃষকেতু—(ডাঙ্গবকৈ কান্দি) আই !

পদ্মা—বাছা !

৩য়া ভৈঃ—বলক, বলক, আই ! বলক বাজকুমাব, কাবেঙত থৈ আহোগৈ।

বৃষকেতু—আই !

৬ষ্ঠ দৃশ্য—শিবিবব দাঁতি

(গদা হাতত লৈ অকলে দুর্য্যোধন)

দুর্য্যোধন—(হতাশ হৈ অকলে) ভীমব প্রতাপ দিনে দিনে চবি গৈছে। যুদ্ধক্ষেত্রত তিষ্ঠিব পবা অসম্ভব হৈ উঠিছে। (ভাবি) নাই, মোব আক একো নহল। ভীষ্ম দ্রোণকে আদি কবি কৌববব সকলো অস্ত হল। শল্যব বা কি বাতবি আছে ভগবন্তইহে জানে। সহদেৱে শকুনি মামাক বধ কবিবলৈ আজি দৃঢ়প্রতিজ্ঞ। সসাগবা পৃথিবীব অধীশ্বব দুর্য্যোধন আজি সহায়-সাবথিহীন। তাব ভাই-ককাই পো-নাতি কেও নাই। হে ধ্বংস, হে কাল, হে কদ্র, তুমি বিশ্ব সংহাব মূর্ত্তি ধবি পৃথিবীত নবৰক বোৱাই দিছা। ময়ে তাব কাবণ। হে কদ্র ! মই ক্ষুদ্র হলেও

তোমাৰ প্ৰধান বল। তোমাৰ কাম তুমি কৰি থাকিবা। কালৰ চকৰি এইদৰেই ঘুৰি থাকিব কিন্তু দুৰ্য্যোধনৰ উচ্চ শিৰ অনন্ত কাললৈ উচ্চ হৈ থাকিব। তাক হীন কৰোতা কেও নাই। সহস্ৰ পাণ্ডব—সহস্ৰ কৃষ্ণ—সহস্ৰ ভীম কোন ছাৰ!

(যুযুৎসুৰ প্ৰবেশ)

যুযুৎসু—দাদা!

দুৰ্যোধন—কোন তই? যুযুৎসু! তই মৰিব জনা নাই! বিশ্বাসঘাতক! ভয়াতুৰ! তোৰ মুখ দেখাও পাপ। মোৰে ভাই হৈ মোক পৰিত্যাগ কৰি যুধিষ্ঠিৰৰ লগ লৰলৈ লাজ নেলাগিল নে?

যুযুৎসু—মই বিশ্বাসঘাতক নহওঁ। অধৰ্ম্ম ত্যাগ কৰি ধৰ্ম্মৰ আশ্ৰয় লৈছো। আপুনি তাকে নকৰিহে সৰ্ব্বনাশ কৰিলে।

দুৰ্যোধন—(ওচৰ চাপি আঙুলি দাঙি সকৈ) আক নকৰি নীচ! তই ধাৰ্ম্মিক!

যুযুৎসু—বাক দাদা! সেইবোৰ এবাক। মোৰা কথা গল। সহদেৱে শকুনিক আক ধৰ্ম্মৰাজে মদ্ৰপতিক বধ কৰিলে। (এইদৰে কওঁতে দুৰ্য্যোধনে মুখত আঙুলি দি পাছ হোঁহকে) এতিয়া আপুনি কি কৰিব? সন্ধি কৰক।

দুৰ্যোধন—দুৰ্য্যোধনে সন্ধি কৰিব! অসম্ভৱ—অসম্ভৱ—অসম্ভৱ যুযুৎসু! দুৰ্যোধন কাপুৰুষ যুযুৎসু নহয়। (স্বগতঃ) এদিনৰ যুদ্ধতে শল্য, শকুনি, সুশৰ্ম্মা সকলো অস্ত হল। মই ভীমৰ ভয়ত যুদ্ধক্ষেত্ৰ এৰি আহিছো। (দুটাই) বাক যুযুৎসু! হস্তিনাৰ খবৰ কি? এতিয়াও হস্তিনাপুৰ পৃথিবীৰ ওপৰত একেদৰে আছেনে?

যুযুৎসু—হস্তিনাৰ খবৰ বিশেষ মই একো নেজানো। তথাপি সঞ্জয়ৰ মুখে শুনাত, তাত পিতৃ মাতৃ অধীৰ হৈছে। অন্তঃপুৰৰ কান্দোনৰ ৰোগত গছৰ পাত সৰিছে। মৃত বীৰসকলৰ নৰাতিবোতা শোকত বলিয়াৰ নিচিনা হৈছে। পুত্ৰশোকাতুৰা ৰাণী ভানুমতীৰ কান্দোন কোনেও সহিব পৰা নাই।

দুৰ্য্যোধন—পিতৃ মাতৃ অধৈর্য্য হৈছে। অন্তঃপুৰত কান্দোনৰ ৰোল উঠিছে। ভানুমতীয়েও কান্দিছে। পুত্ৰশোকত ভানুমতীয়ে কান্দিছে। কান্দক, উপায় নাই। পুত্ৰ লক্ষ্মণৰ মৃত্যু হৈছে, মোৰ তো মৃত্যু হোৱা নাই। তেন্তে ভানুমতীয়ে কেলৈ কান্দিছে? মই অকলশৰীয়া দেখি কান্দিছে নেকি? মই শ্মশানত আছো, যুযুৎসু, মই শ্মশানত আছো। (যুযুৎসুৰ পিঠিত চপৰিয়াই) ভাই, তই কৰ পাৰনে, ই সপোন নে দিঠক? সপোন নহয়নে যুযুৎসু! বেছ কথা সপোন। দুৰ্য্যোধনৰ পৰাক্ৰম কোনে ধ্বংস কৰিব পাৰে! সকলো তেন্তে সপোন নহয় যুযুৎসু! সপোন যদি তই ভানুমতীক কান্দিবলৈ হাক নিদিয় কেলৈ? ছিঃ ৰাজকুমাৰী, ৰাজনন্দিনী, ক্ষত্ৰিয় তিবোতাই আকৌ কান্দে!

যুযুৎসু—দাদা!

দুৰ্য্যোধন—অ' মই পাহৰিছো। তই ধাৰ্ম্মিক। মোৰ ধৰ্ম্ম নাই। তই মোক যুদ্ধ ত্যাগ কৰাবলৈ আহিছিলি। যা, যুধিষ্ঠিৰৰ পদসেৱা কৰি ধৰ্ম্ম কৰগৈ। মোক বুজনি দিবৰ আৱশ্যক নাই, মই অটল অচল, মোক বুজাবৰ কাৰো শক্তি নাই। চাকিত চগা পবাদি যেতিয়া সকলো ধ্বংস হৈছে, মঝো পৰিম, ভয় নাই। তথাপি জীৱন থাকেমানে পাণ্ডৱক সূচ্যগ্ৰ মেদিনীও নিদিওঁ। তই যা, যুযুৎসু!

[যুযুৎসুৰ প্ৰস্থান

দুৰ্য্যোধন—যুদ্ধক্ষেত্ৰত কুকসৈন্ত নাই! অকলে মই কি কৰিম! ইয়াৰ পৰা কোনেও নজনাকৈ আঁতৰি থকাই ভাল হব। সময়ত আকৌ শক্তি হব পাৰে। (গদা লৈ বেজাৰ মনেৰে যাব খোজে এনেতে সঞ্জয় প্ৰবেশ) অ' সঞ্জয়!

সঞ্জয়—যুদ্ধক্ষেত্ৰৰ পৰা সকলোৱে ভঙ্গ দিলে। দুষ্টদ্যুম্নই মোক কাটিব খুজিছিল যুধিষ্ঠিৰে ৰক্ষা কৰি পঠাই দিছে। মই হস্তীনালৈ যাওঁ। আপুনিও যায় নেকি?

দুৰ্য্যোধন—(গদা পেলাই হাতেৰে চকু ঢাকি কান্দি এখন হাতেৰে সঞ্জয়ৰ বাহুত ধৰি) সঞ্জয়! মই যুদ্ধ ক্ষেত্ৰৰ পৰা পলাই আহিছো।

সঞ্জয়—(চকুপানী টুকি) মহাৰাজ! আপোনাৰ এনে দুৰ্দ্দশা হব বুলি কোনে জানিছিল। শত সহোদৰ বেষ্টিত, সূৰ্য্যৰ নিচিনা তেজস্বী, দ্বিতীয় যমৰ নিচিনা বলী মহাবীৰী বক্ষিত ইন্দ্ৰতুল্য দুৰ্য্যোধনৰ এই দশা হব বুলি কোনে জানিছিল! যাক সহস্ৰ নৃপতিয়ে বেঢ়ি থাকে, যাৰ মুখৰ ওপৰৰ পৰা ছত্ৰ-চামৰ দুখুচে সেই দুৰ্য্যোধনে আজি এইদৰে দীনহীন হৈ ৰণক্ষেত্ৰৰ পৰা পলাব বুলি কোনে জানে! এই দুৰ্য্যোধনৰ এনে অৱস্থাত আজি হস্তিনাত হাহাকাৰ।

দুৰ্য্যোধন—নকবা সঞ্জয়! আক নকবা। মোৰ হিয়া ভাগি গৈছে। (কান্দি) হস্তিনাৰ অন্তঃপুৰৰ তিবোতাৰ কান্দোনৰ কথা আক নকবা। মই জানো ভানুমতীয়ে কান্দিছে, দুঃশলাই কান্দিছে সকলোৱে কান্দিছে। কি হব সঞ্জয়! ভীষ্ম, দ্ৰোণ, কৰ্ণ আদিৰ সহায়েৰে হীনবল পাণ্ডৱক জিনিম বুলি মোৰ ধাৰণা আছিল; অহঙ্কাৰ কৰি যুদ্ধ আৰম্ভ কৰিলো, কিন্তু শেষত মোৰ অহঙ্কাৰ চূৰ্ণ হল। পাণ্ডৱে মোৰ সকলো ধ্বংস কৰিলে। শ্ৰীকৃষ্ণৰ সহায় মূৰ্ত্তিয়ে মোৰ সকলোকে সংহাৰ কৰিলে। কি কৰিম, কলে যাম, কোনে মোৰ ই ৰণ কৰিব! ভাগ্যৰ পৰিবৰ্ত্তন এইদৰেই হয়। পিতাক কৰাগৈ অকলে দুৰ্য্যোধন ঘুৰি নাহে। মই এতিয়া বৈপায়ন হ্ৰদত সোমাই থাকিমগৈ।

সঞ্জয়—হস্তিনালৈ বলক মহাৰাজ! সকলোৱে আপোনাক দেখিলে সান্ত্বনা পাব।

দুৰ্য্যোধন—তুমি যোৱা সঞ্জয়, মই কোন লাজেৰে হস্তিনালৈ যাম। তিবোতা বিলাকৰ কান্দোনে মোক বধিয়া কৰিব। হায়! মোৰ ইয়ালৈকে জন্ম ছৈছিল! মোৰ লগত আজি সহস্ৰ সহস্ৰ নাৰী বিধবা হৈছে। সঞ্জয় মোৰ প্ৰতিজ্ঞা আছে পাণ্ডৱক নিজিনাকৈ মই ঘৰলৈ নেযাওঁ। তুমি যোৱা সঞ্জয়! মই যাওঁ।

(প্ৰস্থান আৰু বিপৰীত ফালে সঞ্জয় যাব খোজোতেই অশ্বত্থামা, কৃপ আৰু কৃতবৰ্ম্মাৰ প্ৰবেশ)

অশ্বত্থামা—অ' সঞ্জয় কি খবৰ। দুৰ্য্যোধনক ক'ত দেখিলা?

সঞ্জয়—দুৰ্য্যোধন যুদ্ধক্ষেত্ৰৰ পৰা পলাই সৌৱা এই ফালে গৈছে।

অশ্বত্থামা—কেনেকৈ গৈছে?

সঞ্জয়—নিতান্ত দৰিদ্ৰৰ দৰে, শোকে বেজাৰে দুৰ্ব্বল হৈ খোজ কাঢ়ি গৈ আছে।

কৃতবৰ্ম্মা—বলা অশ্বত্থামা! আমি পলম নকৰো, বজাক লগ ধৰোগৈ।

কৃপ—তুমি কলে মোৰা, মোৰা সঞ্জয়! আমি লৰা-লবিকে বজাক লগ ধৰোগৈ।

সঞ্জয়—হয়, যক। বেগাবেগিকৈ যক। মই হস্তিনালৈ যাওঁ। আপোনালোকে লগ ধৰিছে বুলি কলেও বৃদ্ধ মহাৰাজে অলপ সান্ত্বনা পাব। (সঞ্জয়ৰ প্ৰস্থান, বিপৰীত ফালে তিনিও বীৰৰ প্ৰস্থান।)

পঞ্চম অঙ্ক

১ম দৃশ্য—কুৰুক্ষেত্ৰৰ ওচৰৰ আলিবাট

(এজন ৰবাগীৰ গান গাই গাই প্ৰবেশ)

কিনো মঙ্গল বীণ মৃদু সঙ্গীত
ৰবষি বস সঞ্চাৰে,
ঢালে সুন্দৰ শিৰ সত্য মধুৰ—
শান্তিৰ সুধা বন্দেৱে।
নাচে স্বৰগে, নাচে মৰতে,
নাচে তালে তালে বিশ্ব জগতে,
আকুল আবেগে নাচে যাদুকৰে—
মুগ্ধ মোহন ভঙ্গীৰে।
জয় সনাতন সৃজন কাৰক,
জয় চৰাচৰ বিশ্ব পালক,
নমো কালৰূপ জগত নাশক,—
ভক্তি আকুল প্ৰাণেৰে।

(তিনটা চিকাৰীৰ প্ৰবেশ)

১ম চিকাৰী—হেৱা ককাই, আমাৰ ভীমসেন সেনা-পতিক দেখিছিলানে?

ৰবাগী—কাৰ কথা কৈছা?

২য় চিঃ—কাৰ কথা আকৌ, সেই মহাবাজ যুধিষ্ঠিৰৰ এটাইতকৈ শকত আৰত ভায়েকটোক দেখিছিলানে?

ৰবাগী—কোননো এটাইতকৈ শকত-আৰত বীৰ অ'?

৩য় চিঃ—সেই ভাৰে ভাৰে মঙ্গহ আৰু নাৱে-নাৱে ভাত খোৱাটো অ'।

বৰাগী—জানো মই কব নোৱাৰো পাই। [প্ৰস্থান

১ম চিঃ—চিনিনো পোৱা কি? ঈশ্বৰে ভোগ কৰিবলৈ নচৰজিলেই, কি কৰিবা, ভোগীয়েহে ভোগীক চিনি পায়!

২য় চিঃ—খাবলৈ নোপোৱা বৰাগীয়ে বৰাগীক হে চিনি পায়!

৩য় চিঃ—তেৰাই কাৰ কথা কব পাৰিব বাৰু?

১ম চিঃ—জানো?

৩য় চিঃ—তাকো নেজান। আমাৰ ৰজাৰ যে দদায়েক বুলি কয়, সেই খুদমগনীয়া বিদুৰটো। সেইটোক চিনি পায়।

২য় চিঃ—হাঃ হাঃ হাঃ ভাল ধৰিলি দেই কথাটো।

১ম চিঃ—হেঃ, ভাল ধৰিলি হাঃ হাঃ হাঃ! আজি বৰ স্ফূৰ্ত্তিৰ দিন। খবৰটো দিলেই কিমান ধন আনিবি? সোপাসোপ। (গীত আৰু নাচৰ ভঙ্গী)

১ম চিঃ—হেৰ সোপাসোপ্।

২য় চিঃ—হেৰ' ঘোকাঘোক্।

৩য় চিঃ—বেল্‌বেলীৰ মাকে আজি ভাল পাব মোক।

১ম চিঃ—হেৰ' সোপাসোপ।

৩য় চিঃ—হেৰ' ঘোকাঘোক।

২য় চিঃ—(৩য়ৰ ফালে চাই) হ'ল বাৰু তোৰ পিনে দীঘলীয়া পোক।

১ম চিঃ—হেৰ যেনেতেনে, মোৰ আজি সোপাসোপ।

২য় চিঃ—মোৰ আজি ঘোকাঘোক।

৩য় চিঃ—(২য়লৈ চাই বাউসীত ধৰি) ভাবিছনে নাই মোৰ অকণিকে চোক।

২য় চিঃ—দিব বাৰু তোক।

৩য় চিঃ—হম চেনি জোক।

১ম চিঃ—ঠিক, ঠিক, নিদিলে তিনিও আমি হম চেনি জোক।

তিনিও—[পাক্ দি] বেচ্ বেচ্ নিদিলে তিনিও আমি হম চেনি জোক।

২য় চিঃ—বাৰু চেনী জোক হৈ কৰিবি কি?

৩য় চিঃ—তাকো নেজাননে ভীমৰ নাকত সোমাই লীলিয়াই দিম।

২য় চিঃ—পিচে, কি হব?

৩য় চিঃ—পিচে কি হব। হাচ্‌চিঔ, হাচ্‌চিঔ, হাচ্‌চিঔ, দিম ঔ দিম ঔ।

১ম চিঃ—ভীমে হাচিয়াবলৈ হলে তই উফৰি খালত পৰিবিগৈ।

২য় চিঃ—ধেত্‌তেৰি ঘৰৰ মানুহজনীৰ ঠেঙ্গত।

৩য় চিঃ—খালতকৈ তাইৰ ঠেং ভাল হেৰ।

১ম চিঃ—সৌৱা কোনোবা আহিছে পাই। ব'ল ব'ল কথা কিবা হব। [তিনিওৰে প্ৰস্থান।

(শ্ৰীকৃষ্ণ, যুধিষ্ঠিৰ আৰু অৰ্জ্জুনৰ প্ৰবেশ)

যুধিষ্ঠিৰ—যদুপতি দোৰ্য্যোধনক নেপালে কুৰুক্ষেত্ৰত অত বিলাক বীৰ বধ কৰাই নকৰাই একে হল। ৰাজ্যৰ লোভত অত বীৰ বধ কৰি পাপ কৰাৰ বাহিৰে একো নহল।

শ্ৰীকৃষ্ণ—মহামানী ক্ষত্ৰিয় ৰাজ দোৰ্য্যোধনৰ নিচিনা বীৰ ৰণক্ষেত্ৰৰ পৰা পলাব বুলি মই ধাৰণাকে কৰিব নোৱাৰিছিলো। এতিয়াও বিশেষ চিন্তা কৰিবৰ সকাম নাই। ভীমসেনে দোৰ্য্যোধনক বিচাৰি চৰ পঠিয়াইছে। তেওঁ পোৱা নোপোৱাৰ সংবাদ এইখিনিত আমাক দিব লাগে। ইয়াত লগ পোৱাৰ কথা আছিল।

যুধিষ্ঠিৰ—দোৰ্য্যোধন সচাকৈয়ে পলাই গৈছেনে?

অৰ্জ্জুন—মোৰ মনেৰে দোৰ্য্যোধনে আকৌ সৈন্য সামন্ত গোটাই অশ্বত্থামা আদিক সেনাপতি পাতি যুদ্ধ কৰিবলৈ অপেক্ষা কৰিছে।

শ্ৰীকৃষ্ণ—মুঠতে দোৰ্য্যোধন পলাইছে।

অৰ্জ্জুন—পলৰীয়াক নো আমাৰ বিচাৰি ফুৰাৰ কি আৱশ্যক?

শ্ৰীকৃষ্ণ—আৱশ্যক আছে সখি। শত্ৰু যেতিয়া অতবোৰ ধ্বংস কৰিলা, এটা থৈ পোখাবলৈ দিয়াৰ লাভ কি? তাকে কৰা মানে আকৌ হেজাৰ হেজাৰ

ধ্বংস কৰা। দোৰ্য্যোধন জীয়াই থাকে মানে পাণ্ডৱ নিচিন্ত হৈ থাকিব নোৱাৰে।

অৰ্জ্জুন—(আঁতৰলৈ দেখুৱাই) সৌৱা দাদা বৃকোদৰ আমাৰ ফালে কেবাটাও মানুহৰ সৈতে আহিছে।

শ্ৰীকৃষ্ণ—ঠিক কোৱাৰ সময়তে পাইছেহি।

যুধিষ্ঠিৰ—ভীমে বা কি সংবাদ আনিছে।

শ্ৰীকৃষ্ণ—গতিগোত্ৰ দেখি সংবাদ ভাল যেনেই লাগে।

(চিকাৰীৰে সৈতে ভীমৰ প্ৰবেশ)

শ্ৰীকৃষ্ণ—নহয়নে সংবাদ শুভ, দাদা বৃকোদৰ?

ভীম—সংবাদ অৱশ্যে শুভ যদুপতি। দ্বৈপায়ন হ্ৰদত দোৰ্য্যোধন লুকাই আছে। চিকাৰীহঁতে তাতে অশ্বত্থামা আদি বীৰ সকলেৰে সৈতে দোৰ্য্যোধনক কথা পাতি থকা দেখি আহিছে।

১ম চিকাৰী—হৈছে মহাৰাজ। বন্দীহতে কুৰু ৰজাক দেখি আহিছোহক।

যুধিষ্ঠিৰ—আৰু তাত কাক দেখিছিলি?

১ম চিকাৰী—মহাৰাজ! তাত সেই আপোনালোকৰ গুৰুৰ পুতেকজন, আৰু কোনোবা কোনোবা জনচেৰেকক দেখি আহিছো।

শ্ৰীকৃষ্ণ—ভাল কথা দাদা, এতিয়া সময় নষ্ট নকৰি দ্বৈপায়ন হ্ৰদৰ ফালে যাব লগা হল।

ভীম—হয়, আমি অলপো পলম কৰা উচিত নহয়।

[চিকাৰীৰ বাহিৰে সকলোৰে প্ৰস্থান।

৩য় চিঃ—(মুখ বিদৰাই) অ' হলেই আৰু।

২য় চিঃ—(মূৰ খজুৱাই) এৰা পাই।

১ম চিঃ—গছত কঠাল ওঠত তেল নৌ খাওঁতেই চেল্ বেল্।

(হঠাৎ ভীম আহি)

ভীম—তহতে উপযুক্ত পুৰস্কাৰ পাবি। পৰহিলৈ ৰাজসভাত উপস্থিত থাকিবি, যিহকে বিচাৰ তাকে পাবি। [প্ৰস্থান

২য় চিঃ—(কাষলতিৰ তল বজাই) এইবাৰ খাই ল কিমান পাৰ।

৩য় চিঃ—মই নকৈছিলো।

১ম চিঃ—কোনে কি লবি বাৰু।

২য় চিঃ—মই বুকু চোলা এটাই, চুৰিয়া এখনে, ৰূপ এটকাই, টেকেলাৰ বাবটোৱে লম।

১ম চিঃ—মই যি লম লম, এতিয়া নকওঁ।

৩য় চিঃ—মই মানুহ জনীলৈ ভাল চাই কাপোৰ এসাজ লম। বিষয়া চিষয়া নহওঁ পাই। কোনে আকৌ ঘৰ এৰি টলৌ টলৌ কৰি ফুৰিব। তায়ো শুদাই নেৰে নহয়।

১ম চিঃ - বাৰু বল বল, কি লৱ লৈথাকিবি। [প্ৰস্থান

২য় দৃশ্য—দ্বৈপায়ন হ্ৰদ

(অশ্বত্থামা, কৃতবৰ্ম্মা, কৃপ, দোৰ্য্যোধন)

কৃপ—মৃত্যুৰ তাণ্ডৱ লীলা চাই আজি এই নিৰ্জ্জন হ্ৰদৰ দাঁতি একেবাৰে জীৱনৰ আন এপিঠি যেন লাগিছে। মানুহৰ জীৱন এনেকুৱাই বিচিত্ৰ। মহাৰাজ বেজাৰ কৰিলে কি হব। উপায় থাকিলে তাক অৱলম্বন কৰিব লাগে। পাণ্ডৱে আমাক নিবিচাৰি বহি থকা নাই।

(দোৰ্য্যোধন তলমূৰ কৰি গদাত ভৰ দি শোক মনেৰে বহি আছে। ক্ষন্তেক সকলো নিমাত)

কৃতবৰ্ম্মা—কুৰুপতি যেই সেই এটা কৰিবই লাগিব। এইদৰে লুকাই কিমান দিন থাকিব।

অশ্বত্থামা—মহাৰাজ! আগেয়ে যুদ্ধ নকৰিবলৈ অনুৰোধ কৰিছিলো। এতিয়া কিন্তু নকৰো—মোৰ পিতৃহত্যাৰ প্ৰতিশোধ এতিয়াও বাকী। পঞ্চপাণ্ডৱক বধ কৰিবই লাগিব। চাওঁ কৃষ্ণই কেনেকৈ ৰাখে।

দোৰ্য্যোধন—আপোনালোকে যি ভাল দেখে তাকে কৰক। মই হতাশ। মোৰ বন্ধু-বান্ধৱ পুত্ৰ-পৌত্ৰ সকলো অন্ত হল। আছে হস্তীনাৰ কাৰেঙত বিধবাৰ ক্ৰন্দন। চকুপানীৰ লানি নিছিগা ধাৰ।

অশ্বত্থামা—এতিয়াও হতাশ হোৱাৰ সময় হোৱা নাই।

কৃপ—মহাৰাজ! (চাৰিওপিনে চাই) কোনোবা আহিছে। আমি ইয়াৰ পৰা যোৱাই যুগুত।

দোৰ্য্যোধন—আপোনাসকল যক। যি উচিত বিবেচনা কৰে তাকে কৰিব লাগিব।

(সকলোবে প্রস্থান, দোর্য্যোধনে গদাবে ঘৈণায়ন হ্রদব পানী ঘুবাই ভাবি ভাবি লাহে লাহে হ্রদত প্রবেশ কবে। অলপ পাচতে বিপবীত ফালব পবা পাঁচ পাণ্ডব, শ্রীকৃষ্ণ আৰু চিকাবী কিটাব প্রবেশ। চিকাবী কিটাই হাতত সাবে ভবিত সাবে আগে আগে আহি হ্রদলৈ আঙুলিয়াই দেখুবাই প্রস্থান)

যুধিষ্ঠিব—দোর্য্যোধন পানীব ভিতবলৈ কেনেকৈ সোমাল যদুপতি! পোবাই নোপোবাই একে হল। পানীব পবা উলিয়াই অনা উপাই নাই। যদুপতি, আমাব সকলো যত্ন মিছা হল।

শ্রীকৃষ্ণ—নাই হোৱা মিছা দাদা। মায়াৱী দোর্য্যোধনে মায়া কবি পানীত সোমাই আছে। দোর্য্যোধন মহামানী, নিন্দা সহিব নোৱাবে। নিন্দা কবা ওলাই আহিব।

যুধিষ্ঠিব—(অলপ ভাঙবকৈ হ্রদব ফালে চাই) দোর্য্যোধন, বন্ধুবান্ধব সকলোকে বধ কবাই নিজে প্রাণ লৈ লুকাই থাকিবলৈ লাজ পোৱা নাহেনে? আগব অহঙ্কাব কৰ্লে গল। ক্ষত্রিয় বজা হৈ যুদ্ধক্ষেত্রব পবা পলাই যোৱা কি ধর্ম্ম! তোব অঙ্গীকাব, বীবত্ব, সন্মান সকলো মিছা। ক্ষত্রীয় হৈ ইমান ভয় কবি পৃথিবীত কলঙ্ক থৈ যাবলৈকে ইমান অহঙ্কাব। নিজে কলঙ্কিত হৈ কুকবংশ কলঙ্কিত কবিবব তোমাব কি অধিকাব।

দুর্য্যোধন—(হ্রদব ভিতবব পবা) মোক মিছাকৈয়ে নিন্দা কবিছে মহাবাজ। যুদ্ধত বন্ধু বান্ধব সকলোটিকে হেকৱাই মই অকলশবীয়া হৈছো। বর্ত্তমান মোব ফলীয়া হৈ যুজোতা কোনো নাই। মোব আকৌ সৈন্য সামন্ত হক, তেতিয়া যুদ্ধ কবিম। নহলে মই অতবোবব লগত কেনেকৈ যুজিম।

যুধিষ্ঠিব—তুমি আন কাবো সৈতে যুদ্ধ কবিব নালাগে। মাত্র পাণ্ডবক পবাজয় কবি আকৌ বাজ্য উদ্ধাৰ কবাহি।

নেঃ দোর্য্যোধন—মহাবাজ! কুৰুক্ষেত্রত আপোনাব হাতত মোব সকলো সৈন্য নিধন হল। অন্যায় যুদ্ধত দ্রোণ, কর্ণ সকলোকে বধ কবা হে পৈছে। এতিয়া মোব বিধবাব ওপবত শাসন কবিবব অভিপ্রায় নাই। আপুনি সকলো ৰকমে বাজপাটব যোগ্য। নিশ্চিন্ত মনে সিংহাসন গ্রহণ কবক। বন্ধু-বান্ধব, ইষ্ট-মিত্র, কুটুম্ব হেকৱাই মই শোকত জর্জ্জবিত। কি সতেবে আকৌ বজা হম। মোব অবণ্যই শ্রেয়।

যুধিষ্ঠিব—তুমি দেখোন আজি বঢ়িয়া ধার্ম্মিক যে পবিলা দোর্য্যোধন! এতিয়া ক্ষমা ক'ব পবা আহিল, মৃত্যুব ভয়ত নেকি? শকুনিব কপট পাশা খেলা, দ্রৌপদীব বস্ত্র হবণ আৰু অভিমন্যু বধ আদিব সময়ত তোমাব ধর্ম্ম কঁত আছিল। শিতানত যম দেখি জ্ঞান উদয় হোৱাত তোমাব লাজ লাগক নেলাগক মোব হলে লাজ লাগিছে।

নেঃ দোর্য্যোধন—ভয় কবা নাই যুধিষ্ঠিব। মই অকল-শবীয়া। অকল এটাব লগত যুজিবলৈ মই প্রস্তুত। ভীমক বা অর্জ্জুনক অকলৈ পালে এতিয়াও মোব পবাক্রম দেখুবাব পাবো। এটা এটাকৈ পাণ্ডব বধ কবাব সর্ত্ত মই এতিয়াও হেকৱা নাই। ভীম গদাযুদ্ধত পার্থত যদি গদা যুদ্ধ ভাল পাণ্ডঁ।

যুধিষ্ঠিব—মহামানী দোর্য্যোধনব মুখত এনে কথাই শোভা পায়। ভীমব লগত গদাযুদ্ধ কবাহি। ভীমক পবাজয় কবিলে আমি সকলোৱে পবাজয় স্বীকাব কবি অবণ্যবাসী হম। তুমি নিশ্চিন্তমনে বাজচক্রবর্ত্তী হবা।

শ্রীকৃষ্ণ—সাবধান দাদা বুকোদব। পাণ্ডবব সৌভাগ্যব নিমিত্তেই দোর্য্যোধনে তোমাব লগত যুদ্ধ বাঞ্ছা কবিছে। তথাপি অহঙ্কাব কবিবব বিশেষ কাবণ নাই। দোর্য্যোধন গদাযুদ্ধ অদ্ভুত।

(ইতিমধ্যে দোর্য্যোধনে গদা ঘুবাই ঘুবাই ক্রমাং হ্রদব পবা ওলাই আহে)

ভীম—হে যদুপতি! তুমি যি কবা। (ভীমে যুধিষ্ঠিবক প্রণাম কবি গদা লৈ হ্রদব ফালে যায়। দোর্য্যোধন একেবাবে উঠি আহে)

দোর্য্যোধন—সাবধান ভীম। মোব ভ্রাতৃবধব উপযুক্ত প্রতিশোধ লবলৈ নিজেই আছিছো।

ভীম—(ব্যঙ্গ কবি) পাণ্ডবব ভয়ত হ্রদত লুকাই থকা মহামানী দোর্য্যোধনলৈ ভীমে ভয় নকবে। মুঠতে সেই সকলব সহযাত্রী কবিবলৈ হে মই তোক বিচাবি ফুবিছো।

দোর্য্যোধন—বাক ভীম মোব দুর্ভাগ্যত ব্যঙ্গ কবিবব

আবশ্যক নাই। তর্ক যুদ্ধতকৈ গদা যুদ্ধত মই বিশেষ পাৰ্গত।

(দোর্য্যোধন আৰু ভীমব যুদ্ধ)

(যুদ্ধ কবি কবি দুয়োবো প্রস্থান। যোৱা ফালে সকলোৱে চাই থাকে)

যুধিষ্ঠিব—দোর্য্যোধনব অসন্তুষ্ট পবাক্রম যদুপতি। ভীমব মুবব ওপবত গদা চক্রাকাবে ঘুবিছে। আজি বক্ষা হলে তোমাব সাবথিত্ব সফল হব।

শ্রীকৃষ্ণ—বিষম যুদ্ধ ধর্ম্মবাজ। যেনিবা ইন্দ্র আৰু বৃত্রাসুববহে যুদ্ধ। ভীমব গদাব কোবে দোর্য্যোধনব মুব দবাবকে পবা নাই। ধন্য দোর্য্যোধন তোমাব বীবত্ব।

যুধিষ্ঠিব—যদুপতি আজি বাবিলেহে বাখা।

(পাচ ফালব পবা বলবামব প্রবেশ)

বলবাম—কি ছেছে কৃষ্ণ! ইয়াত কাব যুদ্ধ?

(সকলোৱে উত্তি চাই বলবামক অভিবাদন কবে)

শ্রীকৃষ্ণ—আপুনি তীর্থলৈ যোৱাব পাছত কৌবব পাণ্ডবব মাজত ভয়ঙ্কব যুদ্ধ হল। পাণ্ডবব হাতত কৌবব ধ্বংস হল। দোর্য্যোধন মাত্র বাকী। আজি ভীম আৰু দোর্য্যোধনব শেষ যুদ্ধ।

বলবাম—মই সকলো জানিশুনিয়েই আহিছো। দোর্য্যোধনব বন্ধুবান্ধব সকলোকে মাবিও তোমাব হেপাহ পলোৱা নাই। এতিয়া লুকাই থকা অসহায় দোর্য্যোধনক বিচাবি লৈছাহি। দোর্য্যোধন মোব পুত্র তুল্য। সি মোব মৰম শিষ্য।

শ্রীকৃষ্ণ—কি কবিম দাদা উপায় নাই।

বলবাম—উপায় আৰু কি হব কৃষ্ণ! তোমাব উপায় নাই?

(এনেতে দোর্য্যোধন হঠাৎ আহি শোকাকুলভাবে বলবামক সেৱা কবে।)

দোর্য্যোধন—(কান্দোনব সুবে) প্রভু! আপোনাব অনুপস্থিতিত মোব এনে দশা হল। মোব সকলো গল। কৃষ্ণই মোক ভবিবে ঠেলি পাণ্ডবব ফলীয়া হৈ মোক নির্ব্বংশ কবিলে।

বলবাম—কৃষ্ণ তুমি ইমান কপটীয়া। দোর্য্যোধনে তোমাক কি দোষ কবিলে? দুয়ো দল মিলাই নিধি কিয় এনে কবিলো?

শ্রীকৃষ্ণ—দাদা আপুনি পাণ্ডবব বনবাস, কপট পাশা খেল, দ্রৌপদীব বস্ত্র হবণ আদি দোর্য্যোধনব সকলো অন্যায় কথা শুনিছে। সত্য পালন কবি পাণ্ডব বনবাসব পবা ঘূবি আহিল। পাণ্ডবে পাঁচখন মাত্র গাওঁ খুজিলে। দোর্য্যোধনে বিনাযুদ্ধে সূচ্যাগ্র মেদিনীও নিদিওঁ বুলি প্রতিজ্ঞা কবিলে। মই মধ্যস্থ হৈ মিগাবলৈ যাওঁতে দোর্য্যোধনে নিতান্ত নীচব দবে মোক বান্ধি থব খুজিলে। এনে স্থলত যুদ্ধব অবিহনে উপায় কি? মোব গাত কি দোষ পবিল, এতিয়াও মিলাই দিয়ক।

বলবাম—(তলমুব কবি অলপ ভাবি) দোর্য্যোধন তুমি এতিয়াও অর্দ্ধবাজ্য দি সুখেবে থাকা। (যুধিষ্ঠিবলৈ চাই) এই প্রস্তাবত আপোনাব কিবা আপত্তি আছেনে?

যুধিষ্ঠিব—শত্রু সকলো উচ্ছন্ন হল। মাত্র দোর্য্যোধন বাকী। এনে অবস্থাতো আধা বাজ্য হে নেলাগে মই পাঁচখন গাওঁ মাত্র পালেই সন্তোষ পাম।

বলবাম—উত্তম কথা দোর্য্যোধন, ধর্ম্মবাজক আধা বাজ্য এবি দি সন্ধি কবা।

দোর্য্যোধন—(এফলীয়া হৈ অলপ ভাবি) প্রভু! এতিয়া আৰু মোক সন্ধি কবিবলৈ উপদেশ নিদিব। পাণ্ডবক যথেষ্ট কষ্ট দিলো। এতিয়া প্রীতি হব নোৱাবে। মোব প্রতিজ্ঞা অচল। বিনা যুদ্ধে সূচ্যাগ্র মেদিনীও এবিব নোৱাবো।

বলবাম—ইচ্ছা মতে কাম কবা দোর্য্যোধন। অন্যায় আৰু অহংকাবক মই প্রশ্রয় নিদিওঁ। মই দ্বাৰকালৈ যাওঁ।

শ্রীকৃষ্ণ—এনে অপূর্ব্ব গদাযুদ্ধ অন্ত নকবাকৈ যোৱা অনুচিত দাদা।

বলবাম—তেন্তে যুদ্ধ আৰম্ভ হক। কিন্তু তোমালোকে সকলো মোব লগতে সৌ সমস্ত-পঞ্চক বোলা ঠাই ডোখবলৈ বলা। কুৰুক্ষেত্রব ভিতবত সেই ডোখব বৰ পবিত্র ঠাই। তাত মৃত্যু হলেও স্বর্গলাভ। বলা তাত যুদ্ধ

আৰম্ভ কৰাগৈ। (চিকাৰী কিটাৰ বাহিৰে সকলোৰে প্ৰস্থান)

১ম চিকাৰী—ভীমৰ আজি চিকাৰ আমি মিলাই দিলো। এতিয়া আমাক কি দিয়ে।

২য় চিঃ—যিহকে বিচাৰ তাকে দিব খুজিছে।

৩য় চিঃ—বাৰু হৈছে আৰু। যেতিয়ালৈকে কাম শেষ নহয় তেতিয়ালৈকে তইহে তই মইহে মই। কাম শেষ হলেই সকলো শেষ।

১ম চিঃ—মোৰ হলে বেয়া লাগিছে বোপাই। বেচেৰাই তত্ নেপাই পানীত লুকালহি তাতো সণাহি কিটাৰ পৰা ৰক্ষা নেপালে।

৩য় চিঃ—এ থ, থ, থ, তোৰ মৰম খন পাইছে। দোৰ্য্যোধনে হবলা মাউৰা লৰা কিটিক সাধাৰণটো দুখ দিলে।

১ম চিঃ—এইবোৰ আলচ কৰাৰ পৰা লাভ নাই। বল যুজকে চাওঁগৈ। এনেখন যুজ আৰু ক'ত দেখিবলৈ পাবি ?

৩য় চিঃ—কেলৈ, তইতৰ ঘৰত ?

১ম চিঃ—মোৰ ঘৰত তোৰে সৈতে ফেৰ পাতিলেহে হব।

৩য় চিঃ—মোৰে সৈতেনো ফেৰ পাতিব লাগিছে কেলেই। সিদিনা তোমাৰ গিৰিহঁতনীয়ে 'চুলি মেলি চেঙ্কলি হৈ' তোমালৈ যিটো খেদা দিলে, ভীমে দোৰ্য্যোধনক কি তেনে খেদা দিব পাৰিছে। তোমাৰ তেওঁৰ বাঢ়নীতাৰৰ নিচিনা গদাদালিকে বা পায় ক'ত ?

১ম চিঃ—তই কেতিয়া দেখিছিলি !

৩য় চিঃ—নাকত ধৰি খেপিয়াচোন।

১ম চিঃ—এনেকুৱাত কেতিয়াবা বেয়া হব দেই।

২য় চিঃ—বেয়া হব তো, নেজানি নুশুনি যিহকে তিহকে কয়। সিজনীয়ে বাঢ়নী আনিছিল মৰমত। সেই দিনা চিকাৰলৈ যোৱা নাছিল। বান্ধৰ গা কুটকুটাই আছিল। সেই কুটকুটনি মাৰি ধুলি, মাকতি গুচাই দিবলৈ হে সিজনীয়ে বাঢ়নী আনিছিল। তাকো নেজান পাই। বাৰু এইবোৰ সদাই দেখা যুঁজ। আগলৈও দেখিবি। চাব লগীয়াখন শেষেই হব পায়। বল বল। (২য় আৰু ৩য়ৰ প্ৰস্থান)

১ম চিঃ—এনেকুৱা সুৰতহে সাঁই উঠে। কেতিয়াবা পহু মৰাদি মাৰিম বাপেকে। দুইটা লাগে বুলিহে ভয় লাগে। কেতিয়াবা অকলশৰীয়া হৈ মোৰ ঘৰৰ ফালে যাবি বাৰু ? বুঢ়ী মাৰকো লগাম। [প্ৰস্থান

—ক্ৰমশঃ

প্ৰাৰ্থনা

কবিতা— —শ্ৰীযুত বিষ্ণুচন্দ্ৰ গোস্বামী, বি-এল

সংসাৰ বিচিত্ৰ মঞ্চ—আমি ভাৱৰীয়া,
কত যে পাহৰি যাওঁ কথা লাগতীয়া।
অব্যক্ত সূচনা এটি কেৱলে সম্বল ;
—তথাপিতো—মই-বৰ মই মহাবল !
—আছে হেনো কৃতিত্বৰ অনুৰূপ দৰ ;—
তথাপি আদৰা টান অহমিকা-জ্বৰ।
—বুজিও নুবুজা হৈ নিজ অসাৰতা,
সততে বথানো মাথো নিজৰ বাৰতা ;

নিজক আনতকৈ দিওঁ ওখ ঠাই,
বাহিৰে যদিও মুখে কৰোঁ 'ভাই ভাই'।—
—ভিতৰি বইছোঁ বোজা তাপ-অশান্তিৰ
ফোপোলা জীৱন যেন কোৱাভাতুৰীৰ।—
কৰা কৃপা ইমানতে হে ভগৱান !
চূৰমাৰ কৰা মোৰ আত্ম-অভিমান ;
সূচাই তোমাৰ বাণী তোমাৰ আদেশ,
পূৰোৱা অন্তৰ মোৰ—শান্তি-সমাবেশ !

আৱাহন





স্বৰ্গদেৱ শ্ৰীশ্ৰীমৎ শিৱসিংহ মহাৰজা আৰু তেওঁৰ মহিষী শ্ৰীশ্ৰীমতি অম্বিকা দেৱী

[এই সংখ্যাৰ "আমাৰ পুৰণি শিল্পকলা" চ'ক]

Lakshmibilas Press

অভিশাপ

গল্প— —শ্রীযুত মুনীন্দ্র চন্দ্র বৰকটকী

দেওবাৰ। সপ্তাহটোৰ ভিতৰত একেটি মাথোন বাহিৰৰ বতাহ পোৱাৰ দিন। মানুহ যেন কামৰ হেঁচাখনাপনৰ অসংখ্য বন্দী, আৰু দেওবাৰে বন্দীবোৰৰ স্বাধীনতা। সপ্তাহৰ ভিতৰত দেওবাৰতকৈ আপোন আৰু হিবা বস্তু কাৰবাৰ পক্ষে আছেনে নাই কব নোৱাৰো কিন্তু হুতৰ নাই—অন্ততঃ অফিচৰ মেজৰ ওপৰৰ ফাইল ঘাটি নগুৰ-নাস্তি হোৱা বাবুসকলৰ কাৰণে নাই। এনেটো দিনক কামৰ কাঠিবেৰে জুখি কটাবলৈ মনটো বাজি নহয়। দেওবাৰক দেওবাৰৰ দৰেই সঘাৱহাৰ নকৰিলে তাৰ সন্মানত যেন আঘাত দিয়া হয়।

মোৱা বাতি বিছনাত পৰি ভালেখিনি পৰলৈকে টোপনি নাহিল। ভাত খাই উঠিয়ে বহিছিলো গল্প এটা লিখো বুলি; কিন্তু ঘৰীৰ কাটা গৈ একত পৰিলগৈ, আমাৰ মনৰূপী গল্পৰ মোনাৰ পখা একোকে বাহিৰ কৰিব পৰা নগল। "থাওক এইখন! কাইলৈ এটা লিখিমেই লিখিম" বুলি মিছা প্ৰতিজ্ঞা কৰি নিদ্ৰাৰ বাজ্যলৈ প্ৰস্থান কৰা হল।

বাতিপুৱা। বিছনাতে চাহপানী এটুপি গলাধঃকৰণ কৰি মনে মনে এটা গল্পৰ প্লট সাজিছো। সুখৰ বিষয় আজি আকৌ ভাল প্লট এটাই ওলাইছে। ঠিক শেষ হয় হয় আৰু। মনত বৰ বং, ফুৰ্ত্তিৰ কোবত বিছনাতে নাচিছো! হয়—হয় আৰু। কান্দোন—গল্পৰ প্লটৰ উপসংহাৰখিনি ঠেলা মাৰি দি কৰবাৰ পৰা ওলালহি কান্দোনৰ বিকট ধ্বনি;—আহিছে আমাৰ ঘৰতে লগা ইন্দৰৰ পৰা। তাৰ পিছত আৰু কি হব; গল্পৰ প্লট গৈ কলিকতা পালেগৈ।

মোৰ আৰু কপালত সুখ নাই। অপদার্থ ভাব-বিলাসী কেবাণী—কামৰ ক্ষতিত মোৰ যে কিমান দূৰ যাব পাৰে, এটায়ে বুজিব। নাই যি নাই একোৱে নাই। মুক্ষিপ হৈ ডাঙৰ মানুহ হোৱা ভাগ্য তো নাহেই; ভাবিছিলো কাগজেপত্ৰই দুই-চাৰি গল্পকে লিখি অলপ বাহাদুৰী কৰো,—সেইশিনেও 'ফুলিষ্টপ'।

কান্দোন শুনি আচৰিত হোৱাৰ একো কথা নাছিল, কাৰণ এই ক্ৰন্দন-বহস্যৰ আদি-পৰ্ব্ব কালিয়ে হৈ গৈছে। গল্প লিখাৰ মধুৰ তাড়নাত মই জানিও পাহৰি গৈছিলো। মোৰ বেছ মনত পৰিছে কালি বাৰ-বজা নিশা যেতিয়া গল্পৰ নায়িকাৰ সন্ধানত মই মনে মনে ওচৰৰ এটাই কেউ ঘৰৰে ভিতৰ-ঘৰত সোমাইছিলোগৈ, তেতিয়া নিচেই কাষৰ বীণাইতৰ পছলি-মুখত আছিল দুই তিনিখন মটৰ, আৰু তাহি আহিছিল কান্দোনৰ সকৰুণ প্ৰতিধ্বনি। গল্পত বলিয়া মই, ক'ৰ সেই-পিনে কাণ দি থৰৰ কৰিবলৈ যাওঁ!!···অলপ পাচত যেতিয়া হতাশ মনেৰে বিছনাত পৰি মহৰ বাগিণী উপভোগ কৰি আছিলো, তেতিয়া হঠাৎ চকমকোৱা বিজুলী-ছাটিৰ দৰে তেওঁবিলাকৰে ছোৱালী বীণা মোৰ গল্পৰ নায়িকাৰূপে আবিৰ্ভূতা হল। যি হক মনটোত অলপ সুখ লৈ নিদ্ৰাৰ বাজ্যলৈ যাবলৈ পালো।

বাতিপুৱা শুই উঠিয়ে যে মোৰ আজিৰ গল্পৰ নায়িকা বীণাইতৰ ঘৰৰ পখা এনে অভাৰ্থনা পাব-লগীয়া হব মই সপোনতো ভবা নাছিলো। বাস্তৰিকতে বাক কথাটো আচৰিত নহয়নে? তাৰ পিছত যি শুনিলো, মোৰ মনেৰে বাতিপুৱা শুই উঠিয়েই যদি শুনিলোহেঁতেন, আমাৰ পৰাধীন ভাৰতবৰ্ষই বাতি নৌ পুৱাওঁতেই স্বাধীন হৈ মোক সেই স্বাধীন ভাৰতৰ "ডিক্টেটৰ" পাতিবলৈ আছিছে, তাতো মই ইমান আচৰিত নহলোহেতেন। থৰৰ শুনিলো বোলে মোৰ গল্পৰ নায়িকা বীণাই যোৱা নিশা ডিঙ্গিত জৰি লগাই আত্মহত্যা কৰিলে।···জৰি লগাই আত্মহত্যা নকৰা

হেতেনো তাই আন বহতো কবিব পাবিলেহেতেন, কিন্তু এয়ে তো আকো 'ব'মাস্ন' !!···বাক, থক।

মনব আনন্দ মনতে শেষ হল, আনন্দত নাচি-উঁঠা মুখখন ঢাকি পেলালে শোকব এখন আবৰণে। নাই, আক 'ফকবামি' কবিবব দিন নাই। বীণা অকল মোব গল্পব নায়িকাই নাছিল, তাই আছিল মোব বব আপোন। আক নায়িকা হিচাপে? তাইতকৈ ভাল নায়িকা মই কোনোদিনেও বিচাবি নেপালো। গোটেই নগৰ চুলাপাত কবি বিচবাব মুবত তাইকহে মই সদাই নায়িকা পাইছিলো। সচাকৈয়ে মোব যিমানবোৰ গল্পব তাই নায়িকা হৈ গৈছে, আন কোনো কেতিয়াও হোৱা নাই। কিন্তু ই নো সম্ভব নে? মানুহনো ইমান আকস্মিকতে মবিব পাবে নে?···'কিন্তু' কবিলে আক কি হব? মোব সহস্র সন্দেহ, সহস্র অবিশ্বাসে মুবত এটা জ্বাগ্রত সত্য—"বীণা মবিল"। সেই সত্য মুলুকায়, মোব সকলোবোব অবিশ্বাসে তাত খুন্দা মাবি পানীব কণিকাব দবে পানীতে মিহলি হৈ যাব।

বীণা!—বীণা আছিল মোব জীবনব বহুত সাধনাব এগছি চাকি। শূন্য হৃদয়ব অন্তত বীণাব মাজত যেন কিবা এটা পবিপূর্ণতাব আভাস আছিল।

বহুদিনব পবা ভাবিছিলো বীণা হব আমাব দুখীয়া অসমব এটি বত—বহুদিনব নিশ্চেষ্টতাত ভাগি যোৱা অসমব তাই হব বুকুব মাণিক। বহুতে কিজানি মোব এই আশাক অলপ স্বার্থ থকা বুলি ভাবিব, কিন্তু বীণাব বি পবিচয় মই পাইছিলো, তাবে মই ভবাতকৈও বিবাট কিবাব সৃষ্টি কবিব পাবিলেহেতেন। ভবিষ্যত জীবনত তাই যে মানুহব দবে মানুহ হব, তাব লিপিখন ফুটি ওলাইছিল। তাইব কোমলতা, মধুবতা, কামত একাগ্রতা এই এটাইবোবে এখন ছবিব বেলেগ-বেলেগ অংশকপে তাইব এখন পবিপূর্ণ ছবি আঁকি দিছিল।

বীণাই কিয় এইদবে সকলো আশা-বাসনা এবি গুচি গল, বুজিব নোৱাবিলো। ভাবিলো, বীণাইতব ঘবলৈকে বাওঁচোন, তাই কিজানি কিবা লিখি বৈ গৈছে। সকলোকে সুধিলো, কলে বোলে একো নাই পোৱা। অকলে গৈ বীণাব খোটালীটোত সোমালো, বুকুখন কপি উঠিল, গোটেইখনতে যেন মবণব চিন—হৈ যোৱা ঘটনাব বিজীবিকাই যেন সকলো বস্তুকে কলুষিত কবি থৈ গৈছে। মই শুনিলো কোনোবাই মোক কাণে কাণে কৈ গল—"বীণা মবিল, তাইব দুকুল উটোৱা যৌবনব বিষাদ অভিশাপ বুকুত লৈ।" হঠাৎ এনেটো ভাব কিয় মনলৈ আহিল কব নোৱাবো। তথাপি জানিলো—কিবা বব ডাঙৰ আঘাত, প্রাণব বব তীব্র বেদনাতহে তাই এইদবে নিজক মৃত্যুব হাতত তুলি দিলে।

তাইব সকলো বস্ত্র বিচবাব পাচত এঠাইত পবি থকা পালো এটুকুবা সক কাগজ, কিবা লিখি থৈ গৈছে বুলি আনন্দত তুলি ললো, এখন মাকলৈ দিয়া চিঠি, মাণোন লিখিছে—"আই, বেয়া নাপাবা। তোমাতকৈ আগোন মোব কোনো নাছিল, তোমাক মই বব ভাল পাইছিলো। কিন্তু কি কবিবা, প্রাণে বাধা নেমানিলে। ভাবিলো, মই মবিব লগীয়া আছিলো, মবিলো। মবণব বাচত তোমাব আশীর্ব্বাদ লৈ যাবলৈ পোৱা হলে বব ভাল লাগিলহেতেন, কিন্তু নহল। মই আছিলো দেই, তুমিয়ে সকলোকে বুজাবা। দুর্ভগীয়া বীণাব কাবণে চকুলো ফুটকিবা—মই বব বিক্ত।—বীণা"

একো নাই তাত। ব্যর্থ সান্ত্বনাব আভাস মাণোন, সন্তান-হাবা মাকব প্রাণত নতুন আঘাতব দবে। মনব নিভৃত চুকত যেন কোনোবাই চিঞৰি উঠিল—"আহেন! অভিমান!—উঠি-অহা যৌবনব সীমা-হাবা আবেগতে বীণা মবিল।" মনক আক প্রবোধ দিব নোৱাবিলো। নবা-লবিকে মাকক চিঠিখনব কথা কলো, নকলো মাণোন শেষ দুটা শব্দ—"মই আছিলো"। কম বুলিছিলো, বব শোকত কব নোৱাবিলো। মবণব দুৰ্ব্বাবদলিত বহি কিমান কাতবতাবে তাই সেই দুটা শব্দ উচ্চাবণ কবিছিল কিজানিম আক নোৱাবিলো, আছি বব সোমাংলোহি। বিছনাত দীঘল দি পবি, বীণাব স্মৃতিবোব মনলৈ আনিবলৈ চেষ্টা কবিলো।

বীণা যেন আছিল স্বৰগব দেব-কন্যা। অজানাই বিপুল আহ্বান শুনি তাই বলিয়াব দবে গুচি গল। গাচত পবি বল এটা অপূর্ণ জীবনব ছিন্না-ভগা অসমাপ্তিব ইতিহাস, কৰণ বিননি আক ব্যথিতত দুই চাবিটা ব্যর্থ হা-হুতাশ। হায়! এয়েইনে এটা জীবনব মূল্য!

বীণাব লগত মোব যেন বব নিগূঢ় কিবা এটা সম্বন্ধ আছিল—তাই যেন মোব কোনোবা হবলৈকে আহিছিল, মোব অসাবধানতাতে যেন তাই লেবেলি সবি পবিল!! এইবোব জানো সচা? মনত পবিল, এটা মধুব দিনব স্মৃতি।

সেইদিনা বাতিপুৱাব নতুন বদ ছাটিয়ে যেতিয়া জগতত নিজব নতুনতা প্রমাণ কবিবব কাবণে ব্যস্ত হৈ উঠি আকুলি-বিকুলি কবি আছিল, মই তেতিয়া বাহিবত মোব খোটালীত বহি মেলি লৈছিলোঁ এখন নভেল। নভেলত আত্মবিস্মৃত হৈ থাকোতেই কোন কাহানি বীণাই আহি মোব খোটালীটো সাবি-মুছি ঠিক-ঠাক কবি পেলায়, ধবহে নাই। তাই সদায় আছে, সদায় এইদবে মোব ঘবটোব শ্রী ফিবাই আনি দি যায়। তাত তাইব কি লাভ, কি অনুবাগ তাইহে জানে। মনব হেপাহতে কবি যায়, ময়ো একো নোসোধো। কেতিয়াবা যদি সোধো, তাই উত্তব দিয়ে, "আপোনাব কাম আপুনি কবি থাকক, মই কেলেই কবিলো আপোনাক কেলেই?" মই আক কি মাত মাতিম?

সেইদিনাও ঠিক সেইদবেই। তাই তললৈ মুবকৈ ঘ সাবিছে, মই নভেলব পবা মুব ডাঙি তাইলৈ চালো। কিমান পব নিল জ্বব দবে চাই আছিলো, নিজেই কব নোৱাবো। বাতিপুৱাব নতুন বদছাটিয়ে যেন তাইব মুখত কি অনিন্দ্য বহণ সানি দিছে। সেই সবল, পবিত্র, সুন্দব মুখখনিব মাধুর্য্য তাতে যেন উচ্ছ্বসিত হৈ উঠিছে।... হিঃ! বুলি আত্মসম্বৰণ কবিলো। তাইব ওপবত মোব ঘাবী যে নেথাটে।

মানুহ বুলিলেই হৃদয় এখন আছে, মোবো আছিল। বীণাব কাবণে মোবো ধাউতি আছিল, আশা আছিল। অ' আগতে স্বীকাব কবিব লাগিব বীণা জীয়াই থকা হলে মই এই কথা কেতিয়াও প্রকাশ নকবিলো হেতেন কিন্তু বীণাব মৃত্যুব কাবণে দাৰী যে ময়ো হব পাবো। সেই কাবণেই গোপন-ব্যথা প্রকাশ কবি মোব দোষব ভাব লঘু কবিব লাগে। বীণাব কাবণে মোব প্রাণত আকাঙ্ক্ষা আছিল, কিন্তু বহুদিনবে পবা জানিছিলো তাইক পোৱা মোব দবে দুর্ভগীয়া কেবাণীব কপালত নাই আক নহবও। সেই দেখিয়ে এদিনো বীণাক মই মুখ ফুটাই একো কবলৈ সাহ নকবিলো।

বীণাইতব সকলোবে লগতে মোব পবিচয় আছিল হয়, কিন্তু সেয়া বীণাব পক্ষব পবা নহয়। বীণাব মাকে মোক নিজব লবাব দবে মবম কবিছিল, অন্তবব সকলো কথা মোক কৈছিল। বীণাব যেতিয়া যৌৱনব আৰেগব প্রকাশ, তেতিয়া তাইব দবা বিচবাব ভাবো মাকে মোক দিছিল: বহুত মিছা কথা কৈ সেই ভাবব পবা মই নাবিলো। তাব পিছত শুনিছিলো মোব বন্ধু—ডাঙৰ মানুহব শিক্ষিত লবা পবেশব লগত তাইব বিয়া ঠিক হৈছে।

বীণাব বিয়াব বন্দোবস্ত হৈ গৈছে। মোব জীবনব সকলো আকাঙ্ক্ষাব মুবত কুঠাব মাবি, মই তেতিয়া চেষ্টা কবিছো এটা নিৰ্ব্বিকাব সন্ন্যাসীন জীবন যাপন কবিবলৈ। বীণাব বিয়াব কথা শুনি মোব প্রাণটো হঠাতে কিয় যে কপি উঠিছিল কব নোৱাবো। সেইদিনা মোব জীবনটোব পিছফালে চাবব মন গৈছিল। সকতেই সকলোবে সঙ্গব পবা বঞ্চিত হৈ যি নীবস জীবন মই তেতিয়া যাপন কবিছিলো, তেতিয়া বীণাই আছিল মোব নীবস জীবনব একমাত্র বসব নিজবা। কঠুৱা কেবাণী জীবনব মাজতো বীণাক লগ পাই, মোব জীবনব মাজত যেন নতুন হিল্লোল জাগি উঠিছিল, নিঃসঙ্গ হৈও বীণাব পবাই জীবনটো মোব বব সুখপ্রদ হৈছিল।

বীণাব কাবণে আকাঙ্ক্ষা মোব আছিল, কিন্তু জানিছিলো সি ব্যর্থ। সেই কাবণেই জোব কবি সকলো আবেগ দমাই তাইব লগত সহজ-সবল ব্যবহাব কবি গৈছিলো। সেই সহজ-সবল ব্যবহাবব আঁবে আঁবে যেন মোব মনটোবে সদায় বীণাক পাওো নোপোৱাত কান্দি উঠিছিল। ব্যথিতব বেদনাক ব্যর্থতাবে মই ঢাকি থৈছিলো।

কিন্তু ক'ব নোৱাৰো মোৰ এই দুখীয়া সাধাৰণ জীৱনটোৰ ওপৰত বীণাৰ কেলেই ইমান দয়া ইমান ব্যস্ততা মোৰ সামান্য দুখতে তাই সদায় কিয় কান্দিছিল, বুজিব নোৱাৰিলো। কেতিয়াবা ভাবিছিলো, বীণাই কিজানি মোকে বিচাৰে !! আকৌ তেতিয়াই হাহি উঠিছিলো একেবাৰে অসম্ভৱ বুলি। ভাবিছিলো ধনীৰ ছোৱালী তাই, মোৰ কাৰণে ভাবিব কিয়, আৰু ময়েই বা কিয় পৰেশৰ দৰে সুপাত্ৰৰ পৰা বঞ্চিত কৰি তাইক অযথা দুখীয়া জীৱনৰ কষ্ট দিম। কিন্তু মনটোত মোৰ সান্তনা নাছিল কিয় কোনে জানে ?

সেই সিদিনা বীণাক মই সুধিছিলো, বৰ আৱেগত নিলাজৰ দৰে তাইক সুধিছিলো—"বীণা, মোৰ এই নীৰস কেৰাণী-জীৱনটোত ক'তো সুখৰ সন্ধান নেপাম নে ? তুমি তো দুদিনৰ মূৰত ধনীৰ ঘৰলৈ গুচি যাবা, কেতিয়াবা জানো দুখীয়া কেৰাণীৰ কথা মনত পৰিব। হয় তো চাবলৈ গলে চাকৰ লগাই খেদাইহে পঠিয়াবা, নহয় নে ?"

বীণাই সেইদিনা ৰহস্য কৰি উত্তৰ দিছিল—"এৰা, ঠিক কৈছে দাদা। আমি আৰু কিয় আপোনাক মনত পেলাব পাৰিম। নতুন ঘৈণীয়েকক লৈ এখেতে তেতিয়া আমাৰ কথাকে ভাবি-ভাবি বলিয়া হৈ থাকিব নহয় ! ধাই আছে কি ! বাৰু, বাৰু,—বেছি দুখ কৰিব নেলাগে বুজিছে অলপতে হব আৰু এগৰাকী, তেতিয়া মাথোন দেখিলে আমাক চিনি নোপোৱা নহব।"

সেইদিনা সিমানতে টলকা মাৰিলো। তাৰ পিচত কত দিন কত কথা কৈ গৈছে তাই। কিন্তু !—মানুহৰ জীৱনবোৰ বৰ বিচিত্ৰ। মই নেভাবি নোৱাৰো, বীণায়ো কিজানি মোৰে কাৰণে এনে কৰিলে।···ইস্,—অসম্ভৱ !

সিদিনা তাইক ভবিষ্যত বিবাহিত জীৱনৰ কথা সোধোতে, তাই মাথোন বাৰে-বাৰে কৈছিল—"কোনে জানে, দুদিনৰ ভিতৰতে মোৰ কি হব পাৰে...কিজানি মৰোৱেই"। "বাৰু হৈছে আৰু সেইপিনে।" একেলালিয়ে ইমানবোৰ নিৰাশাসূচক কথা শুনিও মই অলপো ভাবিব নোৱাৰিছিলো যে তাই সচাকৈয়ে দুদিনৰ ভিতৰতে মৰিব। মই ভাবিছিলো তাইৰ সেইবোৰ লাজকুৰীয়া ভাব। আকৌ মৰিবৰ আগদিনাখনো তাই মোক বহুত কথা কৈ গৈছিল—"বাৰু, মই যদি কাইলৈ মৰি যাওঁ, আপুনি কেনে পাব ?···মোৰ বিয়াত জানো আপুনি আনন্দ পাব ?···মই মৰিলে মোৰ কথাৰে এটা সুন্দৰ কবিতা লিখিব দেই।" একেলগে ইমানকৈ মৰাৰ কথা কোৱা দেখি মই অৱশ্যে অলপ চিন্তিত হৈছিলো, কিন্তু যেতিয়া সুধিলে 'মোৰ বিয়াত জানো ভাল পাব' মই ভাবিলো এইবোৰ ধেমালি কৰিছে। মই উত্তৰ দিলো—"আনন্দহে নেপাম ! ডাঙৰ মানুহৰ বঢ়িয়া লৰাৰ লগত তোমাৰ বিয়া হব, কিমান খাম, ফুৰ্ত্তি কৰিম।" তাৰ পিচত তাইলৈ চাই দেখিছিলো, তাইৰ মুখত এটা বিষাদৰ চিন। মোৰ উত্তৰত তাই লাজৰ পৰিবৰ্ত্তে অলপ দুখহে পোৱা যেন লাগিল।

আজি মৰণৰ পাচত, ইচ্ছা হৈছে আকৌ তাইক জীয়াই লৈ সুধিম—"বীণা, তুমি সচাকৈয়ে মোকে বিচাৰা নে ? যদি লোৱা, তেন্তে মোৰ দান মই নিজেই।" জীয়াই থকাত যদি কলোহেঁতেন, তায়ো কিজানি মোকে সাদৰি নিজৰ কৰি ললেহেঁতেন। কি ভুল কৰিলো মই—তাইৰ ওপৰত, কিমান অবিশ্বাস কৰিলো মই। বিশ্বাস কৰা হলেও তো তাইৰ মাক-বাপেকে পৰেশক এৰি মোক তাইক নিদিলেহেতেন !···নাই, নহয় দিলেহেতেন, মোক পোৱা হলে বীণা নমৰিল হেতেন। তাইৰ মৰণৰ বাবে দায়ী মই, ময়ে তাইক হত্যা কৰিলো।—কান্দিলো, ধাৰাসাৰে চকুৰ পানী বৈ গল।—"কিয়, জীয়াই থাকোতে মই তোমাক নকলো বীণা, মই তোমাকে বিচাৰো"।· কিয় তুমি সুসুধিলা মই কাক বিচাৰো। নজনা যে নজনাতে থাকি গল। কিয় এইদৰে মোক খুনীৰ দাগ দি গুচি গলা। খুনীতকৈও যে মই বেছি দোষী।"

* * * *

ভাবি থাকোতেই কেতিয়া বেলিটি নিজৰ বাহলৈ ঘূৰিব কব নোৱাৰো। এন্ধাৰে আহি খোটালীটো ঢাকি পেলালে। ভাবিলো অলপ ওলাই যাওঁ: কিন্তু যাব নোৱাৰিলো, বীণাৰ স্মৃতিয়ে যেন মোক পঙ্গু কৰি পেলালে। বাটলৈ গলে যেন মোক এটায়ে খেদি আহিব, মই যে বীণাৰ জীৱন নষ্ট কৰিছো।

সৌৰজগত আৰু নক্ষত্ৰবিলাকৰ উৎপত্তি

—শ্ৰীযুত বংশীধৰ চৌধুৰী, বি-এচ্‌চি

নিৰ্ম্মল ৰাতি আকাশৰ পিনে চালে ঢিমিক ঢামাককৈ জ্বলি থকা যিবিলাক উজ্জ্বল পদাৰ্থ দেখা পাওঁহঁক আৰু যিবিলাকক সাধাৰণতে তাৰা বুলি কোৱা হয়, জ্যোতিষৰ ভাষাত সিবিলাকক নক্ষত্ৰ বোলা হয়। এই নক্ষত্ৰবিলাকৰ প্ৰত্যেকেই একোটা একোটা সূৰ্য্যবিশেষ আৰু আমাৰ সূৰ্য্যও অসীম আকাশত ভাহি থকা অসংখ্য নক্ষত্ৰৰ মাজৰ এটা নক্ষত্ৰহে। শুদা চকুৰে যিমানবোৰ তাৰা দেখা যায় দূৰবীক্ষণ যন্ত্ৰৰ সহায়েৰে তাতকৈ বহুত বেছি দেখিবলৈ পোৱা যায়; আকৌ দূৰবীক্ষণৰ সহায়েৰেও যে কিমান তাৰা দেখা নাযায় তাৰ সীমা-সংখ্যা নাই।

আমাৰ সূৰ্য্যৰ দূৰত্ব পৃথিবীৰ পৰা ন কোটি সাৰে উনত্ৰিশ লক্ষ মাইল আৰু আয়তন পৃথিবীৰ বাৰ লক্ষ গুণ। কিন্তু যিবিলাক তাৰা আমি ৰাতি দেখিবলৈ পাওঁ সিবিলাকৰ দূৰত্ব সূৰ্য্যতকৈ লক্ষ লক্ষ কোটি কোটি গুণ বেছি আৰু সেয়েহে সিবিলাকক আমি ইমান সৰু দেখো; কিন্তু আচলতে একোটা একোটা নক্ষত্ৰ আমাৰ সূৰ্য্যতকৈ লক্ষ লক্ষ গুণে ডাঙৰ আৰু লক্ষ লক্ষ গুণে দীপ্তিমান। আমি পৃথিবীৰ ওপৰৰ দুখন ঠাইৰ ভিতৰৰ ব্যৱধান বুজাব লাগিলে কওঁ যে অমুক ঠাইখন অমুক ঠাইৰ পৰা ইমান মাইল দূৰত। কিন্তু পৃথিবী আৰু নক্ষত্ৰ এটাৰ মাজৰ দূৰত্ব মাইলেৰে বুজাব লাগিলে এটা বিৰাট সংখ্যা হৈ পৰে, সেইবাবে এনেকুৱা দূৰত্ব বুজাবলৈ পণ্ডিতসকলে এটা নতুন জোখ বাহিৰ কৰিছে। এই নতুন জোখটোকে Light year (লাইট্ ইয়াৰ) বোলা হয়। এটা নক্ষত্ৰ পৃথিবীৰ পৰা এক 'লাইট্ ইয়াৰ' দূৰত বুলিলে বুজিব লাগিব যে সেই নক্ষত্ৰটোৰ পৰা পোহৰ আহি পৃথিবীত পৰাৰ আগতে বাটতে ১ বছৰ পাৰ হৈ যায়। পৃথিবীৰ নিচেই ওচৰত থকা নক্ষত্ৰটো পৃথিবীৰ পৰা ৪½ 'লাইট্ ইয়াৰ' দূৰত আছে; আৰু পোহৰৰ বেগ চেকেণ্ডে প্ৰতি ১৮৬০০০ মাইল। গতিকে পৃথিবীৰ নিচেই ওচৰত থকা নক্ষত্ৰটোৰ দূৰত্ব মাইলেৰে বুজাব গলে ৪½ × ৩৬৫ × ৬৪ × ৬০ × ৬০ × ১৮৬০০০ মাইল হয় গৈ। এই নক্ষত্ৰটোৰ পৰা আজি কোনো এটা মুহূৰ্ত্তত যিখিনি পোহৰ পাইছো সেই পোহৰখিনি ৪½ বছৰ আগতে কোনো এটা নিৰ্দ্দিষ্ট মুহূৰ্ত্তত নক্ষত্ৰটোৰ গাৰপৰা যিখিনি পোহৰ বাহিৰ হৈ চতুৰ্দ্দিকে বিয়পি পৰিছিল তাৰে এটা অংশহে, আৰু যদি কিবা কাৰণত আজি এই নক্ষত্ৰেটোৰ অস্তিত্ব লুপ্ত হৈ যায় তথাপিও আৰু ৪½ বছৰলৈ আমি তাক দেখি থাকিম। আকৌ কোনো কোনো নক্ষত্ৰ আছে যাৰপৰা পোহৰ পৃথিবীলৈ আহিবলৈ হলে বাটতে শ শ বছৰ পাৰ হৈ যায়। ইয়াৰ পৰাই কল্পনা কৰি চাব ব্ৰহ্মাণ্ডখন কিমান বিৰাট।

আৰু এক শ্ৰেণীৰ তাৰা আছে—ইহঁতৰ পোহৰ স্পন্দনহীন। ইহঁতৰ প্ৰত্যেকে আমাৰ সূৰ্য্যৰ চাৰিওপিনে একোটা একোটা ধাৰাবাহিক নিয়মৰ অধীন হৈ ঘূৰি আছে; ইবিলাকক গ্ৰহ বোলা হয়। আজিলৈকে মুঠতে আঠোটা গ্ৰহ আবিষ্কাৰ হৈছে; যেনে—বুধ (Mercury), শুক্ৰ (Venus), পৃথিবী (Earth), মঙ্গল (Mars), বৃহস্পতি (Jupitar), শনি (Saturn), ইউৰেনাচ (Urenas) আৰু নেপচুন্ (Naptune)। ইবিলাকৰ বাজেও বহুত সৰু সৰু গ্ৰহ নিজৰ নিজৰ বাটত সূৰ্য্যৰ চাৰিওপিনে অবিৰাম ঘূৰিব ধৰিছে। ওপৰত কোৱা গ্ৰহবিলাকৰ চাৰিপিনে অইন কিছুমান উজ্জ্বল পদাৰ্থ ঘূৰিব ধৰিছে আৰু লগে লগে গ্ৰহবিলাকৰ লগত সূৰ্য্যক প্ৰদক্ষিণ কৰি আছে। ইহতক উপগ্ৰহ বোলে। এই গ্ৰহ-উপগ্ৰহবিলাকত বাজেও ধূমকেতু উল্কাপুঞ্জ প্ৰভৃতি কিছুমান পদাৰ্থও সূৰ্য্যৰ চাৰিওপিনে ঘূৰি আছে। গ্ৰহ, উপগ্ৰহ,

ধুমকেতু, উল্কাপুঞ্জ আৰু সিহতৰ কেন্দ্ৰস্থ সূৰ্য্য এই আটাই-বিলাকৰ সংহতিবোৰে মহান্ বিশ্বৰ এটা অংশ নিৰ্ম্মাণ কৰিছে—সেই অংশটোকে সৌৰজগত বোলা হয়।

আমাৰ সূৰ্য্যক কেন্দ্ৰ কৰি যি সৌৰজগতখন নিৰ্ম্মাণ হৈছে ই অনন্ত ব্ৰহ্মাণ্ডৰ এটা ক্ষুদ্ৰাদপি ক্ষুদ্ৰ অংশহে; ইয়াত বাহিৰেও এনেকুৱা আৰু অসংখ্য সৌৰজগত আছে—প্ৰত্যেক নক্ষত্ৰটোৱে এনেকুৱা একোখন সৌৰজগতৰ কেন্দ্ৰস্থ সূৰ্য্যস্বৰূপ। আমাৰ সূৰ্য্যৰ যেনেকৈ, মঙ্গল, বৃহস্পতি, পৃথিবী প্ৰভৃতি গ্ৰহ উপগ্ৰহ আদি আছে সেইদৰে প্ৰত্যেক নক্ষত্ৰটোকে কেন্দ্ৰ কৰি অলেখ গ্ৰহ উপগ্ৰহ অবিৰাম ঘূৰিব ধৰিছে।

আকাশৰ কোনো কোনো ঠাইত বহুত জোনাকী পৰুৱা একেলগে থাকি ঢিমিক ঢামাককৈ জ্বলি থকা যেন দেখা যায়; কোনো কোনো ঠাইত আকৌ পাতল মেঘৰ নিচিনা একো একো চপৰা সূক্ষ্ম বগা পদাৰ্থ দেখা যায়। আচলতে কিন্তু এইবিলাক মেঘো নহয় জোনাকী পৰুৱাও নহয়; কোটি কোটি মাইল দূৰত অলেখ তাৰা একে দৃষ্টিৰেখাৰ ওচৰাউচৰিকৈ থকা বাবেহে এনেকুৱা দেখা যায়। এই নক্ষত্ৰবিলাকত বাহিৰেও বহুতো চকুৰে মনিব নোৱাৰা সূক্ষ্ম বায়বীয় পদাৰ্থ অনন্ত মহাকাশত ভাহি আছে। শক্তিশালী দূৰবীক্ষণ যন্ত্ৰেৰে চালে এইবিলাকক একো একো খণ্ড কুৱলীৰ নিচিনা দেখা যায়। আজিকালিৰ পণ্ডিতসকলৰ মতে এইবিলাকেই বিশ্বজগতৰ মূল উপাদান নীহাৰিকা। আন এঠাইত এই নীহাৰিকাৰ সম্পৰ্কে বিশদভাৱে কোৱা হব।

ওপৰত যিবিলাক গ্ৰহৰ কথা কৈ অহা হৈছে সিহতৰ প্ৰত্যেকেই একোটা নিৰ্দ্দিষ্ট বাটেৰে একোটা ধাৰাবাহিক নিয়মৰ অধীন হৈ অনবৰত সূৰ্য্যক প্ৰদক্ষিণ কৰিব লাগিছে। একোটা গ্ৰহই যি নিৰ্দ্দিষ্ট বাটটোৰে সূৰ্য্যক প্ৰদক্ষিণ কৰে সেইটোকে সেই গ্ৰহটোৰ কক্ষ বোলা হয়। এটা দলি ওপৰলৈ মাৰি পঠিয়ালে দলিটো যি বাটেৰে ওপৰলৈ উঠে নাইবা নামি আহে তাৰ কোনো চিন্ চাব নথকা স্বত্বেও গণিতশাস্ত্ৰৰ সহায়েৰে যেনেকৈ তাক হিচাব কৰি উলিয়াব পাৰি সেইদৰে গ্ৰহবিলাকৰ কক্ষবিলাককো গণিত শাস্ত্ৰৰ সহায়েৰে অনায়াসে থিৰাংকৈ কব পাৰি।

সৌৰজগতৰ গ্ৰহ উপগ্ৰহবিলাক দূৰবীক্ষণৰ সহায়েৰে নিৰীক্ষণ কৰি জ্যোতিৰ্ব্বিদ পণ্ডিতবিলাকে তলত দিয়া নিয়ম কেইটা প্ৰতীয়মান কৰিছে।

১। গ্ৰহবিলাক আকাশত যেনিয়ে তেনিয়ে সিচতি হৈ থকা নাই; ইহতৰ প্ৰত্যেকে নিজৰ নিজৰ নিৰ্দ্দিষ্ট কক্ষত ঘূৰিব লাগিছে আৰু এই কক্ষবিলাক প্ৰায় এক সমতলত অৱস্থিত। সূৰ্য্যৰ নিৰক্ষবৃত্তও সেই একেটা সমতলতে পৰিছে। কেৱল সৰু সৰু গ্ৰহবিলাকৰ বাট সেই সমতলৰ পৰা অলপ দূৰত।

২। সূৰ্য্যই নিজৰ অক্ষত থাকি পশ্চিমৰ পৰা পূবমুখে ঘূৰে; সেইদৰে সকলোবিলাক গ্ৰহই নিজৰ নিজৰ বাটেৰে ঠিক সেই মুখেই সূৰ্য্যৰ চাৰিওপিনে ঘূৰে। কিন্তু ইউৰেনাচ আৰু নেপচুন এই নিয়মৰ বাহিৰ যেন দেখা যায়।

৩। গ্ৰহবিলাকৰ দৰে উপগ্ৰহবিলাকেও একে সমতলতে থাকি পশ্চিমৰ পৰা পূবমুখে ঘূৰে। কিন্তু ইউৰেনাচ আৰু নেপচুনৰ উপগ্ৰহবিলাক এই নিয়মৰ বিপৰীতে ঘূৰা যেন দেখা যায়।

সৌৰজগতৰ উৎপত্তিসম্বন্ধে মতবাদৰ ভিত্তি।—সৌৰজগতৰ পৰিয়ালবিলাকৰ ভিতৰত তলত লিখা বিষয় কেইটাত মিল দেখা যায়।

১। পোহৰ বিভাগ যন্ত্ৰৰ দ্বাৰা পৰীক্ষা কৰিলে সূৰ্য্য আৰু তাৰ চাৰিওপিনে থকা গ্ৰহ, উপগ্ৰহ, ধুমকেতু, উল্কাপুঞ্জ প্ৰভৃতি একে উপাদানেৰে গঠিত হোৱা বুলি প্ৰমাণ হয়।

২। নক্ষত্ৰবিলাকতো সেই একে মূলবস্তুবিলাক থকাটো প্ৰমাণ হয়।

৩। নীহাৰিকা বা কুৱলীৰ নিচিনা সূক্ষ্ম বায়বীয় পদাৰ্থবিলাকতো সেই একে বস্তুকেই পোৱা যায়।

দ্বিতীয়তে, পৃথিবীৰ ভিতৰখন খানি যিমান তললৈ যোৱা যায় তিমানে গৰম পোৱা যায়। ইয়াত বাহিৰেও ভূমিকম্প, আগ্নেয়গিৰি প্ৰভৃতিয়েও পৃথিবীৰ ভিতৰৰ তাপৰ প্ৰমাণ দিব লাগিছে। এটা কথা আমি সকলোৱে জানো যে গৰম বস্তুমাত্ৰেই তাপ দিয়ে; আৰু তাপ দিয়াৰ লগে লগে তাপ ক্ষয় হৈ গৈ বস্তুটো লাহে লাহে চেঁচা হৈ যায় আৰু

লগে লগে তাৰ আয়তন কমে। পৃথিবীৰ আন্তৰিক তাপৰ কথা ভাবি চালে আমি সহজে এই সিদ্ধান্তত উপনীত হব পাৰো যে এসময়ত পৃথিবীখন এতিয়াতকৈ বহুপৰিমাণে বেচি গৰম আছিল আৰু তেতিয়া ই জুলীয়া অৱস্থাত আছিল; আৰু তাৰো বহুদিন পূৰ্ব্বে পৃথিবীখন বাষ্পৰ আকাৰত আছিল আৰু তেতিয়া ইয়াৰ আয়তনো বহুত গুণে বেছি আছিল। আনপক্ষে আমি জানো যে সূৰ্য্যই অবিৰাম তাপ বিকীৰণ কৰি আছে আৰু সেই তাপৰ ২২৭,০০,০০,০০ ভাগৰ এভাগমাত্ৰ আমাৰ পৃথিবীত পৰিছে আৰু তাৰপৰাই পৃথিবীৰ সকলো কাম কাজ চলিছে। সূৰ্য্যই এই তাপ ক'ৰ পৰা পায়? কোনো কোনো পণ্ডিতে কয় যে সূৰ্য্যত দহন আৰু ৰাসায়নিক ক্ৰিয়া অবিৰাম চলিব ধৰিছে; আকৌ কোনোৱে কয় যে সূৰ্য্যৰ ওপৰত উল্কাপিণ্ড বৰ্ষণৰ কাৰণে এই তাপ উৎপন্ন হৈছে। কোনোৱে আকৌ কয় যে উল্কাপিণ্ডৰ পতন আৰু ৰাসায়নিক ক্ৰিয়া হোৱা বাবে সূৰ্য্যই ইমান তাপ দিব নোৱাৰে—সূৰ্য্যৰ দেহৰ ক্ৰমাগত সংকোচন হোৱাৰ বাবেহে সূৰ্য্যই এই পৰিমিত তাপ বিকীৰণ কৰিবৰ লায়ক হৈছে। হেল্‌ম্‌হোলট্‌জ নামৰ বিখ্যাত পণ্ডিতজনে গণনা কৰি কৈছিল যে সূৰ্য্যৰ ব্যাস ৮৫ মাইল কমিলে যি তাপ উৎপন্ন হয় তাৰেই ২২৯০ বছৰ তাপ বিলাব পাৰে। তেওঁৰ মতে সূৰ্য্যই আদিতে সমস্ত সৌৰজগত বিয়পি আছিল আৰু ক্ৰমে সৰু হৈ বৰ্ত্তমান আকাৰ ধাৰণ কৰিছে—ইয়াত বাহিৰে ইমান শক্তি উৎপন্ন হোৱাৰ অইন একো কাৰণ নাই। •

নীহাৰিকাবাদ (Nabular hypothesis)

ওপৰত দিয়া কথাখিনিকে সমল কৰি লৈ ফৰাচী দেশৰ গণিতশাস্ত্ৰজ্ঞ পণ্ডিত লাপ্লাচে তেওঁৰ বিখ্যাত নীহাৰিকাবাদ (Nabular hypothesis) জগতৰ আগত ডাঙ্গি ধৰে।

নীহাৰিকা আকাশৰ এবিধ অদ্ভুত বস্তু। ইয়াক দূৰবীণ নহলে চকুৰে নেদেখি। দূৰবীণেৰে চালে ইয়াক এডোখৰ বগা উজ্জ্বল মেঘ যেন দেখি। কিন্তু ই মেঘো নহয় নাইবা কোটি-কোটি মাইল দূৰত থকা তৰাৰ থুপো নহয়; বহুত দূৰত কোটি কোটি মাইল বিয়পি থকা পাতল জ্বলন্ত বাষ্পীয় পদাৰ্থ। এই পাতল বাষ্পীয় পদাৰ্থবিলাক সৰু সৰু জড়কণিকাৰদ্বাৰা পৰিপূৰ্ণ। বাষ্পৰ কোনো গঢ় নাথাকে গতিকে নীহাৰিকাবোৰৰ কোনো নিৰ্দ্দিষ্ট আকাৰ নাথাকে; কোনোটো দীঘল, কোনোটো আঙঠিৰ নিচিনা ঘূৰণীয়া আৰু কোনোটো বা পেচ গজালৰ নিচিনা পাক খোৱা। এইবিলাক আকৃতি দেখিলে বুজিব পাৰি যে নীহাৰিকাৰ শৰীৰৰ বাষ্পবিলাক ঠিক গোট খোৱা নাই। প্ৰথমে জ্বলন্ত বাষ্পকণিকাবিলাক যেয়ে যিপিনে পায় সেই পিনে ঘূৰাঘূৰিকৈ থাকে। কালৰ গতিত এই ভিন্ন গতিবিলাক একেলগ হৈ এক নিৰ্দ্দিষ্ট মহান গতিত পৰিণত হোৱা বাবে নীহাৰিকাটোৰ কণিকাবিলাক ভাৰকেন্দ্ৰৰ চাৰিওপিনে এটা নিৰ্দ্দিষ্ট গতিত ঘূৰিবলৈ আৰম্ভ কৰে। মধ্যাকৰ্ষণৰ বলত আৰু তাপ হ্ৰাস হোৱাৰ লগে লগে সেই জড়কণিকা বিলাক ক্ৰমে ঘন হব ধৰে আৰু লাহে লাহে নীহাৰিকাটোৰ জুলীয়া আৰু তাৰ পাচত গোটা অৱস্থা আহি উপস্থিত হয়। আয়তন হ্ৰাস হোৱাৰ লগে লগে ঘূৰ্ণিত গতি বেছি হৈ যায় আৰু সেইবাবে মেৰু ভাগ চাপ খাই যায় আৰু নিৰক্ষভাগ উঠি আহিবলৈ ধৰে। এই অৱস্থাত মূল একো একোডোখৰ জ্বলন্ত জড়পদাৰ্থ একোটা আঙঠিৰ আকাৰত মূল নীহাৰিকাৰ পৰা বিচ্ছিন্ন হব ধৰে। এনেকৈ আমি দেখিলো মূল নীহাৰিকাটো নিজৰ অক্ষত থাকি ঘূৰিব ধৰিছে আৰু তাৰ চাৰিওপিনে বিচ্ছিন্ন হৈ যোৱা অংশটো একেমুখে ঘূৰিব লাগিছে। মূল জড়খণ্ড এইদৰে লাহে লাহে চেপ খাই গৈ থাকে আৰু তাৰপৰা একোটা একোটা আঙঠিৰ সৃষ্টি হব ধৰে। এইদৰে আমাৰ সূৰ্য্যৰপৰা আঠোটা আঙঠিৰ সৃষ্টি হৈছে।

এই একোটা আঙঠিৰ পৰাই একোটা একোটা গ্ৰহৰ

• আজিকালি Radio Activity (ৰেডিও এক্টিভিটি) অৰ্থাৎ মূল পদাৰ্থবিলাকৰ প্ৰকৃতি পৰিবৰ্ত্তনৰ ক্ষমতা আবিষ্কাৰ হোৱাৰ লগে লগে পণ্ডিতসকলে শক্তিৰ এবিধ নতুন উৎসৰ সন্ধান পাইছে, যাৰ বাবে সূৰ্য্যৰ তাপৰ কাৰণসম্বন্ধে হেল্‌ম্‌হোল্‌টজ প্ৰভৃতিৰ আয়তন 'হ্ৰাসৰ' মতবাদৰ ভেটি শিথিল হৈ গৈছে।

সৃষ্টি হয়। আঙঠিবিলাক চিৰকাল একেদৰে নাথাকে; সিহঁতৰ ভিন্ন ভিন্ন অংশবিলাকৰ বিভিন্ন গতিৰ বাবে সৰু ডাঙৰ বহুত ভাগত বিভক্ত হৈ যায় আৰু এই ভাগবিলাক আগৰদৰে একে বাটত ঘূৰি থাকে। কালক্ৰমে এই সৰু সৰু ভাগবিলাক পৰস্পৰৰ আকৰ্ষণৰ গুণত একে লগ হৈ এটা বৃহৎ পিণ্ডৰ আকাৰ ধাৰণ কৰে আৰু শেষত ঘূৰণীয়া আকৃতি ধাৰণ কৰি মূল পিণ্ডৰ চাৰিওপিনে ঘূৰিবলৈ ধৰে। এই ঘূৰণীয়া পিণ্ডবিলাক একোটা একোটা গ্ৰহ।

যেনেকৈ মূল নীহাৰিকাৰ গাৰ পৰা একো একোডোখৰ বৃহৎ বৃহৎ জ্বলন্ত পদাৰ্থ বিচ্ছিন্ন হৈ একো একোটা গ্ৰহৰ সৃষ্টি কৰে সেইদৰে গ্ৰহবিলাকৰ গাৰপৰা একো একোডোখৰ পদাৰ্থ চিট্‌কি আহি একো একোটা উপগ্ৰহৰ সৃষ্টি কৰে। এই উপগ্ৰহ বিলাকে নিজৰ নিজৰ নিৰ্দ্দিষ্ট কক্ষত থাকি সিহঁতৰ জন্মদাতা গ্ৰহটোক প্ৰদক্ষিণ কৰে আৰু গ্ৰহটোৱে নিজৰ কক্ষত ঘূৰি ঘূৰি মূল নীহাৰিকাটোক প্ৰদক্ষিণ কৰাৰ লগে লগে ইহঁতেও ইহঁতৰ আজুককাকক প্ৰদক্ষিণ কৰে। এইদৰে বিৰাট উজ্বল জড়কণিকাৰ সমষ্টি এটাৰপৰা অলেখ গ্ৰহ উপগ্ৰহৰ সৃষ্টি হৈছে। আমাৰ সূৰ্য্যৰপৰা এইদৰে আঠোটা গ্ৰহ আৰু পৃথিবী, বৃহস্পতি, শনি প্ৰভৃতি ডাঙৰ ডাঙৰ গ্ৰহৰপৰা চন্দ্ৰ প্ৰভৃতি উপগ্ৰহবিলাকৰ সৃষ্টি হৈছে।

যদি এই নিয়মৰ দ্বাৰাই গ্ৰহউপগ্ৰহ বিলাকৰ সৃষ্টি হৈছে তেনেহলে সৰু সৰু গ্ৰহবিলাক সোনকালে চেঁচা হব লাগে আৰু ডাঙৰ ডাঙৰ গ্ৰহবিলাক সেই অৱস্থালৈ আহোঁতে বেচি দিন লাগিব লাগে। গ্ৰহবিলাকৰ অৱস্থা পৰীক্ষা কৰি ডাঙৰ ডাঙৰ জ্যোতিৰ্ব্বিদ বিলাকে এই নিয়মৰ সত্যতা প্ৰমাণ কৰিছে। আমাৰ চন্দ্ৰ আটাইতকৈ সৰু, আৰু সেইবাবে সি তেনেই গোট মাৰি গৈছে। আমাৰ পৃথিবীৰ উপৰি ভাগৰদৰে ইয়াৰ উপৰিভাগ আগুৰি থকা বায়ুমণ্ডল ইয়াত নাই;—এনেকি ইয়াত পানী নাইবা কোনো জুলীয়া বস্তু নাই—সকলো পদাৰ্থই ঠাণ্ডা হৈ গোট মাৰি গৈছে। ইয়াৰ অন্তৰৰ জুইকুৰা একেবাৰে নিৰ্ব্বাণপ্ৰাপ্ত, গতিকে ইয়াত পৃথিবীৰ দৰে আগ্নেয়গিৰি নাই। আমাৰ পৃথিবী চন্দ্ৰতকৈ ৫০শ গুণে ডাঙৰ; ইয়াৰ ভিতৰখন এতিয়াও গৰম যদিও ওপৰৰ ভাগ চেঁচা হৈ গোট মাৰিছে। ইয়ো মৃত্যুৰ মুখলৈ আগ বাঢ়িছে, যদিও এতিয়াও অনেক দিন বাকী আছে। সেইদৰে বুধগ্ৰহ একেবাৰে নিৰ্ব্বাণপ্ৰাপ্ত। শুক্ৰ আৰু মঙ্গল প্ৰায় পৃথিবীৰ নিচিনা ডাঙৰ আৰু বয়সতো প্ৰায় একে; আৰু সেইবাবেই সিহঁতৰ প্ৰাকৃতিক অৱস্থা প্ৰায় পৃথিবীৰ নিচিনাই। শনি আৰু বৃহস্পতিৰ জুলীয়া অৱস্থা শেষ হোৱা নাই। বৃহস্পতি আটাইতকৈ ডাঙৰ আৰু ইয়াৰ অৱস্থা প্ৰায় সূৰ্য্যৰ নিচিনাই।

আমাৰ সৌৰজগতত যেনেকৈ এই বিলাক ক্ৰমাগত অৱস্থা দেখিছোঁ আকাশৰ অইন অইন ভাগতো একোটা নক্ষত্ৰক অৱলম্বন কৰি একেৰকমৰ ঘটনাৱলীৰ উদ্ভৱ হব লাগিছে। আগতে কৈ আহিছোঁ যে প্ৰত্যেক নক্ষত্ৰটো একো একোখন সৌৰজগতৰ কেন্দ্ৰস্থ সূৰ্য্য; আৰু তাৰ চাৰিওপিনে পৃথিবী, শুক্ৰ, বৃহস্পতিৰ দৰে বহুতো গ্ৰহ উপগ্ৰহ ঘূৰিব লাগিছে আৰু সেই বিলাকো একে প্ৰণালীতে উৎপন্ন হৈছে। গ্ৰহবিলাকৰ দৰে নক্ষত্ৰবিলাকৰো কোনোটোৰ একেবাৰে মৃত্যু হৈ গৈছে, কোনোটোৱে বা মৃত্যুৰ মুখলৈ আগবাঢ়ি যাব ধৰিছে, কোনোটোৱে আজিও বাষ্প অৱস্থাতে থাকি গ্ৰহ উৎপাদন কৰিব লাগিছে; কোনোটোৱে আকৌ অতি সূক্ষ্ম বাষ্পৰ আকাৰত থাকি আকাশৰ কোটি কোটি মাইল বিয়পি আছে যাক আমি নীহাৰিকা বুলি বৰ্ণনা কৰি আহিছোঁ।

আকাশত কিছুমান নক্ষত্ৰ আছে যিবিলাকক শুদা চকুৰে চালে এটা নক্ষত্ৰ বুলি বোধ হয় কিন্তু দূৰবীক্ষণৰ সহায়েৰে চালে একে দৃষ্টিৰেখাত থকা দুটা নক্ষত্ৰ বুলি প্ৰমাণ হয় আৰু আচলতে কোনো কোনো ঠাইত দুটা নক্ষত্ৰই পৰস্পৰে পৰস্পৰৰ চাৰিওপিনে ঘূৰাঘূৰিকৈ থাকে। পণ্ডিতবিলাকে ইয়াক যমজ নক্ষত্ৰ বুলি কয়। নীহাৰিকা-বাদমতে দুয়োটা নক্ষত্ৰ একেটা নীহাৰিকাৰ পৰা উৎপন্ন হৈ এটাই আনটোৰ চৌকাষে ঘূৰি থকা বুলি ব্যাখ্যা কৰা হয়। সেইদৰে তিনি নাইবা ততোধিক নক্ষত্ৰ কেতিয়াবা কেতিয়াবা ওচৰা-উচৰিকৈ থাকি এটা বিন্দুক কেন্দ্ৰ কৰি ঘূৰি থকা দেখা যায়।

অতি পুৰণি কালতে জ্যোতিষী বিলাকে কোনো

কোনো উজ্জ্বল নক্ষত্ৰৰ পোহৰ ক্ৰমান্বয়ে কমি গৈ গৈ শেহত অলপ অলপকৈ জ্বলি থকা নাইবা একেবাৰে অদৃশ্য হোৱা লক্ষ্য কৰিছিল আৰু আজিকালিও বহুত নক্ষত্ৰৰ এনেকুৱা ব্যৱহাৰ লক্ষ্য কৰিব পাৰি। কোনো কোনো নক্ষত্ৰৰ আগৰ উজ্জ্বলতা পুনৰ ঘূৰাই পাবলৈ ৭০ বছৰলৈ লাগিছিল আৰু আকৌ কোনো কোনোৱে ২।৪ দিন নাইবা এবছৰৰ ভিতৰতে আগৰ জেউতি ঘূৰাই পাইছিল। এইদৰে আলগল নামে পাৰসুস্ ৰাশিত থকা উজ্বল নক্ষত্ৰ এটা ৩দিনৰ ভিতৰত পোহৰ কমি গৈ নেদেখা হৈছিল। আৰব দেশৰ প্ৰাচীন জ্যোতিষীবিলাকে ইয়াক দৈত্য তাৰা বুলিছিল;—অৱশ্যে তেওঁলোকে ইয়াৰ কোনো কাৰণ নিৰ্ণয় কৰিব পৰা নাছিল। অইন এটা দক্ষিণ আকাশৰ তাৰা আছে, যাক আৰববিলাকে 'মাইৰা' বুলিছিল আৰু যাক ইংৰাজীত সিটাস্ (cetus) বোলা হয়;—দহমাহৰ ভিতৰত এই তাৰাটোৰ ৰশ্মি ক্ষীণ হৈ গৈ গৈ শেহত দূৰবীক্ষণ নহলে দেখাকে নোপোৱা হয়।

নক্ষত্ৰ কিছুমানৰ এইদৰে পোহৰ কমি যোৱা নাইবা বেচি হোৱাৰ কাৰণ আজিকালিৰ জ্যোতিষীবিলাকে ঠিক কৰিছে। তেওঁলোকৰ মতে এনেকুৱা নক্ষত্ৰবিলাকৰ প্ৰত্যেকটোৱেই যমজ নক্ষত্ৰৰ একোটাহে। লগৰ অইন নক্ষত্ৰটো চেঁচা হৈ নিৰ্ব্বাণপ্ৰাপ্ত হোৱা বাবে তাক চকুৰে নাইবা দূৰবীক্ষণেৰে দেখা নাযায়; গতিকে তাৰ অস্তিত্ব সহজে ধৰা নপৰে। কিন্তু যেতিয়া এই নিৰ্ব্বাণপ্ৰাপ্ত, 'মৰা' নক্ষত্ৰটোৱে ঘূৰোতে ঘূৰোতে অইন নক্ষত্ৰটোক ঢাকি পেলায় তেতিয়া সূৰ্য্যগ্ৰহণৰ দৰে অইন নক্ষত্ৰটোৰ গ্ৰহণ হয়; যেতিয়া পূৰ্ণ-গ্ৰহণ হয় অৰ্থাৎ যেতিয়া মৰা নক্ষত্ৰটোৱে জীয়াটোক সম্পূৰ্ণভাৱে ঢাকি পেলায় তেতিয়া জীয়াটো একেবাৰে দৃষ্টিপথৰপৰা অদৃশ্য হৈ যায়; তাত বাহিৰে অইন সকলো অৱস্থাতে অল্পবিস্তৰ পৰিমাণে পোহৰ পোৱা যায়।

আকাশত কেতিয়াবা হঠাৎ একোটা বিচিত্ৰ কাণ্ড ঘটি উঠা দেখা যায়। হঠাৎ শূন্যৰ বুকত একো একোটা উজ্বল নক্ষত্ৰৰ আবিৰ্ভাৱ হয় আৰু দুই চাৰিমাহ পলমে আকৌ নাইকিয়া হয়। এই ৰকমৰ ঘটনা ১০০ বছৰৰ ভিতৰত ৭।৮ টা ঘটা দেখা গৈছে। কোনো কোনোটো আকৌ আজিলৈকে পোহৰ বিলাই আছে আৰু দূৰবীক্ষণেৰে চালে একো একোডোখৰ প্ৰকাণ্ড বাষ্প জ্বলি থকা যেন অনুমান হয়। এই ঘটনা বিলাকেও আমি আগতে কৈ অহা নীহাৰিকা-বাদকেই সমৰ্থন কৰে।

আকাশত ঘূৰি থকা মৰা নক্ষত্ৰৰ সংঘৰ্ষণৰ দ্বাৰাই এনেকুৱা ঘটনাৰ উদ্ভৱ হোৱা বুলি জ্যোতিষীবিলাকে সিদ্ধান্ত কৰিছে। আপোনালোকে বতাহৰ মাজেদি প্ৰচণ্ড বেগেৰে পৃথিবীৰ পিনে নামি অহা উল্কাপিণ্ড বা পপীয়া তৰাবোৰ দেখিছে। বতাহৰ মাজেদি আহোঁতে বতাহৰ লগত হোৱা সংঘৰ্ষৰ ফলত সিহঁত জ্বলি যায় আৰু সেইহে আমি সিহঁতক দেখা পাওঁ। সেইদৰে দুডোখৰ শিলৰ মাজত খুন্দা লাগি জুই উঠাটোও আমি জানো। জ্যোতিষীবিলাকে কয় যে নিতৌ দেখি থকা তাৰাবিলাকত বাজেও অসংখ্য 'মৰা' তাৰা আকাশৰ বুকত অনাই বনাই ঘূৰি ফুৰিব ধৰিছে। যেতিয়া এনেকুৱা দুটা নক্ষত্ৰৰ ভিতৰত সংঘৰ্ষ হয় তেতিয়া দুয়োটা ভাঙি একেবাৰে চুৰমাৰ হয় আৰু তাৰ ফলত ভীষণ অগ্ন্যুদ্গম হয়। সিহঁতৰ দেহৰ মাটি, শিল, ধাতু প্ৰভৃতি গলি যায় আৰু শেষত বাষ্পৰ অৱস্থা প্ৰাপ্ত হয়। এই জ্বলন্ত বাষ্পখণ্ডটোকে আমি নতুন নক্ষত্ৰৰূপে দেখিবলৈ পাওঁ। যেতিয়া নক্ষত্ৰ দুটাৰ মাজৰ সংঘৰ্ষণটো গাত ঘঁহনি লগাৰ নিচিনা হয় তেতিয়া সিহঁতৰ শৰীৰ একেবাৰে গুৰি হৈ নাযায় আৰু সংঘৰ্ষণৰ ফলত যি জুই উঠে সি বেচিদিন নাথাকে। অইন পক্ষে যেতিয়া এটা নক্ষত্ৰ অইন এটা নক্ষত্ৰৰ ওপৰত পৰে তেতিয়া দুয়োটা ভাঙি চুৰমাৰ হৈ সূক্ষ্ম বাষ্প খণ্ডত পৰিণত হয়; আৰু সংঘৰ্ষণৰ ফলৰূপে যি জুইৰ সৃষ্টি হয় সি লক্ষ লক্ষ বছৰ ধৰি জ্বলি থাকে। এনেকুৱা উজ্জ্বল সূক্ষ্ম বাষ্পখণ্ড একোটাকে জ্যোতিষী বিলাকে নীহাৰিকা বুলি কয়। গছৰ পৰা গুটি আৰু গুটিৰ পৰা পুনৰ গছ হোৱাদি কেনেকৈ নীহাৰিকাৰ পৰা নক্ষত্ৰ আৰু নক্ষত্ৰৰপৰা পুনৰ নীহাৰিকাৰ সৃষ্টি হব পাৰে সেইটো আমি দেখিলোঁ। নীহাৰিকাবাদৰ সত্যতা সম্বন্ধে জ্যোতিষীবিলাকৰ মাজত আজি কোনো মতভেদ নাই।

অনন্ত আকাশৰ অসংখ্য মহাসূৰ্য্যবিলাকৰ তুলনাত

আমার সূর্য্য কিমান সরু? সূর্য্যর তুলনাত এই নগণ্য পৃথিবী আরু পৃথিবীর তুলনাত মনুষ্যজাতি যে কিমান ক্ষুদ্র তাক অনুমান করিব লাগে। গতিকে অনন্ত মহাকাশর লগত তুলনা করিলে মানবর ক্ষুদ্রতার তুলনা নহয়। এই নগণ্য মানুহে অনন্ত আকাশর অসংখ্য নক্ষত্রর খবর দিব পরাটো বাস্তবিকতে সম্ভব নহয়। মানুহে তার বিদ্যাবুদ্ধি যন্ত্র পাতি আদিরে অনন্ত সৃষ্টির সীমা নির্দ্ধারণ করিব গৈ শেষত হার মানে; আরু তেতিয়া সি অবাক হৈ অনন্ত বিশ্বর মহিমা দেখে আরু সৃষ্টিকর্ত্তা পরমেশ্বরক কোটি কোটি বার নমস্কার করে। কিন্তু পৃথিবীর শ্রেষ্ঠ জীব মানুহ সেইবাবে সন্তুষ্ট থাকিব নোরারে—সি পশুর দরে আহার নিদ্রাত সময় কটাব নোরারে। যিযিনি বুজিবর সাধ্য তার আছে তাকে বুজিবর, জ্ঞানর গোচর করিবর বলবতী ইচ্ছা এটাই তার সততে উদগাই থাকে; আরু সেই মহতী ইচ্ছার বশবর্ত্তী হৈয়েই অনন্ত মহাকাশর বি অলপ অচরপ খবর সংগ্রহ করিব পারে তাকেই অহোপুরুষার্থ করি সংগ্রহ করিছে।

প্রেমর উপাসক

(এটা ইংরাজী গল্পরপরা গোরা।)

—শ্রীযুত বজ্রকান্ত বরদলৈ, বি-এ

গল্প—

ইংলণ্ডত হেনরি নামর এজন ডেকাই এসময়ত হেলেনা নামর গাভরু এজনীক ভাল পাই, তাইরে সৈতে প্রণয়-সম্ভাষণ করি আশা করিছিল যে তেওঁ সেই প্রণয়িনীজনাক বিয়া করাই সুখী হব। কিন্তু মনে বজা হব খুজিলেও বিধাতাই নিদিয়ে। হেনরির প্রেমত চগা পরিল। টমাছ নামেরে আন এজন ধনী ডেকাই হেলেনাক বিয়া করালে। প্রেমত কুঠারর ঘা পরাত হেনরি মনর দুখতে দেশ এরি কলৈ গল, কি করিলে কেরে কব নোরারিলে।

২

ভালেমান বছর গল। চাঁদমৌ (Honeymoon) হৈ ঘোরার পিছত পরা টমাছ আরু হেলেনাই গার্হস্থ্য জীবন সুখর নহল। উভয়ে বিপরীত স্বভাবর কাবরে কথাই-বতরাই দুয়োরো মন নামিল হল। উভয়রে প্রেমর জরী ঢিলা হল। মনর বেজাবত হেলেনাক ঘরত থৈ টমাছ দেশ-ভ্রমণলৈ গল। বহুবেকমান ঘুরি ফিরি শেহত চেণ্ট মণ্টেগো নামর দ্বীপ এটাত স্বাস্থ্য বললাভলৈ ওলালগৈ।

চেণ্ট মণ্টেগো নামর দ্বীপটো অতি সুন্দর অতি স্বাস্থ্যকর। তাত বসন্তকাল সদায় যেন বিরাজমান। ফলে-ফুলে চাগর চাপর টিলাবে তার ওপরত সুন্দর বঙলা আরু ঘুমনি আদিরে দ্বীপটো সুশোভিত। ইণ্ডবোপর ধনী ক্রোড়পতি সকলে সেই দ্বীপটোত স্বাস্থ্যনিবাস, হোটেল, প্রমোদ কানন, অট্টালিকা আদি সাজি দ্বীপটো মনোরম করিছিল।

৩

হাতত সবহ অর্থ থকা, আরু জরুরী কাম-কাজ নথকা ধনীসকলে এই দ্বীপটোলৈ গৈ কেরে দুমাহ, কেরে ছমাহ, কেরে এবছর কাল কটাইছিল। ইংরেজীপীয়ান সকলর আমোদ, প্রমোদ মুলিলেই এইটো ধরি লব পারি যে তেওঁবিলাকে দিনত হকি, গল্‌ফ্, ক্রিকেট, টেনিছ, বেডমিণ্টন খেল খেলে। গধুলি হলে বিলিয়ার্ড, তাছর জুরা খেলে। লগে লগে ভাত মদ খায় আরু সময়ে সময়ে বাতি বল-ডান্স অর্থাৎ মতাই-মাইকীয়ে লগ লাগি নৃত্য করে।

৪

এই চেণ্ট মণ্টেগো দ্বীপর কেইবাটা হোটেলতে নিশা হলে তাছর ব্রিজ, বৌলেট ইত্যাদি খেল হয়। সেই খেলবিলাকত খেলুইহঁতে সহস্র সহস্র টকার পণ ধরি জুরা খেলে। এনেকুরা এটা হোটেলত টমাছো এনিশা জুরা খেল খেলিবলৈ গৈছিল। আরু সেই জুরা খেলর এখান টেবিলত দীঘল ডড়ীয়া এটা আদহীয়া মানুহে দেখিলে। সেই মানুহজনে নিতৌ সেইখান টেবিলত মাত্র এঘণ্টা পর জুরা খেলি জুরাত সদায় অলপ অচরপ ধন জিকি লৈ গুচি যায়। কেতিয়াও তেওঁ এঘণ্টার ওপরে জুরা নেখেলিছিল। কেরে তেওঁক হকা বধা, বা খেলিবলৈ টানি ধরিব নোরারিছিল; কিন্তু তেওঁ বন্দবস্ত করি লৈছিল যে তেওঁ জিককে বা হারকে এঘণ্টার ওপরে নেখেলিব। টমাছে আচরিত হৈ এনিশা এই মানুহজনক খেল এরি ওলাই যাবলৈ বরাঁচেই লগ ধরি সুধিলে "ডাক্তরীয়া! আপোনাক চিনো যেন লাগিছে। আগোনার পরিচয়টো মোক দিবনে?" উত্তরত ভদ্রলোকজনে কলে—"মোবো তোমাক চিনো চিনো লাগিছে। তুমি টমাছ হোরানে?" টমাছে কলে, "বন্ধুবর! মই টমাছ হওঁ। তুমি মোর পুরণি বন্ধু হেনরিবে?" হেনরি—"এরা মই হেনরি হওঁ। তুমি মোর লগত মোর ঘরলৈ আহিরানে? তাত দুয়ো আজি অত বছরর সুখ দুখর কথা-বতরা পাতিম।" হেনরির আহ্বানত টমাছ হেনরির লগত গল আরু তাত চবাঘরর ভিতরত বহিল হেনরির চাকরে আনি চেমপেন মদ, চর্ক্যু-চুষ্য-লেহ্য-পেয় খানা আনি দিলে। দুরো বন্ধুরে কথা-বতরা পাতি পাতি খানা খালে।

৫

খানা শেষ হোরার পিছত হেনরিয়ে কলে—"বন্ধু! মই তোমার হেলেনাৰ প্রেমত বঞ্চিত হৈ দেশ এরি আমেরিকালৈ গৈছিলো। তাত মই দহ বছরমান কারবার করি বিপুল ধনী হৈছো। কারবার করার লগে লগে মই চিত্রাঙ্কন বিদ্যা, ঘরবারী সজা বিদ্যা, ফুলনি প্রমোদ কাননাদি তৈয়ার করা বিদ্যা শিকো। কিন্তু এই সময় বিদ্যা কার্য্যকরী করিবলৈ আরু অনুশীলন করিবলৈ নির্জ্জন ঠাই বিচারি বিচারি আহি আজি দহ বছর হল এই দ্বীপত এই টিলাটো কিনি লৈছো আরু ইয়াত মই এই ঘর, এই চাবিওফালর ফুলনি আরু উদ্যান তৈয়ার করাইছো। খোরা শোরা ভ্রমণ করা পরা আরু নিশা হলে এঘণ্টা কাল খেলার বাজে মই যিখিনি আহরি সময় পাওঁ, সেই সময়ত মই সদায় এই দহ বছর চিত্রকে আঁকিব লাগিছো। বন্ধু! যদি আমনি নোপোরা তেন্তে আহা, উদ্যানলৈ ফুরিব যাওঁ। সুন্দর জোনাক বাতি আছেই, তার লগতে মোর 'গোটেই উদ্যানতে বিজুলী চাকি জলি আছে।" এই বুলি কৈ টমাছক লগত লৈ এঘণ্টামান কাল গোটেইখান ফুলনিত ফুরিলে। টমাছে দেখিলে যে গোটেইখান ফুলনি আরু উদ্যান যেন এখান নন্দন কাননহে—যেন এখান স্বর্গহে।

৬

ফুলনির পরা ঘরলৈ উলাট আহি হেনরিয়ে কলে, "বন্ধুবর! মোর এতিয়া গোটেইখান ঘর চাই ফুরোগৈ বলা।" এই বুলি কৈ টমাছক প্রত্যেক খোটালিলৈ নিলে। টমাছে দেখিলে যে প্রত্যেক খোটালিরেই যেন একোখান স্বর্গ হে। বহুমূলীয়া গালিছা ছবি মেজ মাচিয়া ইত্যাদিরে ভরা। তার পিছত তেওঁ যি খোটালিত ছবি আঁকে সেই খোটালিলে টমাছক নিলে। খোটালি সোমায়েই টমাছে দেখিলে যে প্রত্যেকখান কোবতে তেওঁর বৈশীয়েক হেলেনাৰ সেই গাভরু কালৰ ছবিবিলাক সোণৰ ফ্রেমেরে বন্ধোরা আছে। প্রত্যেকখান ছবিতে হেলেনাৰ সেই হেনরিয়ে সৈতে সম্ভাষণ আরু প্রেমালাপ করাৰ সময়ৰ বেলেগ বেলেগ ভাষ ফুটি ওলাইছে। এখান ছবি এখান পর্দাৰে ঢকা আছিল। হেনরিয়ে গৈ সেইখান খুলি দিয়াত টমাছে দেখিলে যে হেলেনা যেন পুনৰ গাভরু মূর্ত্তি ধরি সোপাবোৰে থিয় দি আছে। হেনরিয়ে কলে, "বন্ধুবর! এই এটাইবিলাক ছবি মই নিজে আঁকিছো আরু নিজে বন্ধাইছো। মই মৰণ কালৈকে এই দৰেই হেলেনাৰ ছবি আঁকিয়েই দিন কটাম বুলি ভাবিছো।"

টমাছে কলে—"বন্ধু! তুমি হেলেনাক নাপায়ো পাইছা, চিৰজীৱনতে পাই আছা। কিন্তু মই হতভগীয়াই

তোমাৰ বুকত কুঠাৰ মাৰি হেলেনাক পায়ো হেৰুৱাইছো। তুমি হেলেনাৰ সেই গাভৰু কালৰ মূৰ্ত্তিকে উপাসনা কৰি তোমাৰ হিয়া প্ৰকৃত প্ৰেমেৰে ভৰপূৰ কৰি ৰাখিছা। কিন্তু মই অধমে হেলেনাক ভাল পাব নাজানি তাইৰে মোৰে সদায় হাই-দন্ লাগি মই দিনক দিনে অসুখী হৈছো। গাৰ্হস্থ্য জীৱন মোৰ বিফলে গল। এতিয়া হেলেনাৰো সেই সৌন্দৰ্য্য নাই যি সৌন্দৰ্য্যত তুমি এতিয়াও মত্ত হৈ ৰৈছা। মোৰো আগৰ সেই যৌৱন, সেই সুখ একো নাই। ধনবিত যদিও আছে তথাপি মই দুখীয়াৰো দুখীয়া আওদুখীয়া; কিয়নো, মই প্ৰেমৰ পূজা কৰিব নাজানিলো। তুমি হেলেনাৰ শৰীৰটো ভোগ কৰিবলৈ নাপালেও তাইৰ সৌন্দৰ্য্য তোমাৰ মনোৰাজ্যত এতিয়াও ভোগ কৰি আছা। তুমি প্ৰেমিক মই অপ্ৰেমিক, তুমি সুখীয়া মই দুখীয়া।"

বিৰহিণাৰ ৰিঙি

কবিতা—

—শ্ৰীযুতা শান্তিপ্ৰভা হাতীবৰুৱানী

কাকনো বিচাৰ কচোন কেতেকী
কাৰ বিৰহত তই
আতুৰ সুৰেৰে বিচাৰি ফুৰিছ
কেতেকু কেতেকু কই ?

কোন সিটি তোৰ প্ৰাণৰ লগৰী
ক'তনো পলাল তেওঁ ?
হিয়া ঢাকুৰাই ৰিঙিয়াই ফুৰ
নামাতে তথাপি কেও !

কাকনো দিছিলি ভাংপোৱা তোৰ
কিয়নো এনুৱা হল ?
প্ৰাণৰ লগৰী বিচাৰি নাপাৱ
ফাঁকি দি কেনিবা গল !

কাঠনি ভেদাই যেতিয়া বিনাৱ
হিয়াভেদী ৰিঙি মাৰি ;
বিৰিখৰ পাতে চকুপানী টোকে
টোপালৰ বাৰ কাঢ়ি !

নিজান নিশাত নিমাত জগত
মাতি আছ মাথোঁ তই ;

তোৰে মাতে মাতে মাতে মোৰ প্ৰাণে
আছোঁ তোৰ লগ মই !

কেতেকী হেৰেই নাভাবিবি তই
তোৰেইহে ভগা হিয়া ;
সম দুখী তোৰ আছোঁ অভাগিনী
মোৰো তেওঁ নাইকিয়া !

কি বুলি সান্তনা দিম ঐ কেতেকী
বুজনি সমল নাই ;
একেকুৰা জুয়ে মোকো যে দহিছে
হিয়া পুৰি হ'ল ছাই !

যতে আছে থক নেদেখা ৰাজ্যত
মাতি থাক বাৰু তই ;
উকলিব যেৱে সংসাৰ নিকাৰ
আমিও মিলিম গই !

অনিত্য সংসাৰ নিত্য মাথোঁ হৰি
ইসব তেওঁৰে মায়া ;
অথিৰ-অবিৰ কচুপাত-পানী
দুদিনীয়া ছঁয়াময়া !

বিশ্ব প্ৰৱাহ

যোৰহাট তৰুণ দলৰ প্ৰহসন-নাট অভিনয়

যোৰহাট হিন্দু-মুছলমান ডেকা-জনচেৰেকে গোট খাই কেবাখনো প্ৰহসন-নাটৰ অভিনয় কৰিছে। এই তৰুণ দলৰ উদ্দেশ্য হৈছে প্ৰথম, কেখনমান প্ৰহসন অভিনয় কৰি হাস্যৰসৰ সহায়ত নাট্যকলাৰ চৰ্চ্চা কৰা ; দ্বিতীয় উদ্দেশ্য হৈছে, প্ৰহসন নাটবিলাক চিনেমা বা ছায়াচিত্ৰৰ উপযোগী কৰি অভিনয় কৰা আৰু নাট্যমঞ্চত অভিনয় কৰাৰ পাছত সেই অভিনীত প্ৰহসনবিলাক কিবা উপায়েৰে ছায়াচিত্ৰত পৰিণত কৰা। এই ডেকাসকলে সৰ্ব্বসাধাৰণৰ চিত্তাকৰ্ষক কৰি "বৰ-বাচনি", "তীৰ্থ-যাত্ৰা", আৰু "শুভ-বিবাহ" নামেৰে তিনিখন অভিনয় প্ৰহসনৰ অভিনয় কৰি বিশেষ কৃতিত্ব দেখুৱাইছে। তৰুণ দলটিৰ এয়ে সৰ্ব্বপ্ৰথম উদ্যম। ডেকা কিজনৰ Amateur হিচাপে কৰা এই উদ্যমটি অতি প্ৰশংসনীয়। কোনো গুণগ্ৰাহী লোকৰ সহায় পালে এই উদ্যমী ডেকাসকলে ছায়াচিত্ৰৰ অভিনয় কৰি অসমত অসমীয়া ছায়াচিত্ৰৰ অৱতাৰণা কৰিব পাৰে। ছায়াচিত্ৰৰ আৱশ্যকীয় বাতৰি এই তৰুণ দলটিক যোগাব পাৰিলেও তেওঁলোকৰ উপকাৰ কৰা হয়। আজিৰ অসমত এনে উদ্যমৰ বাবে চাৰিও ফালৰ পৰা উৎসাহ পোৱা যাব বুলি আশা কৰিব পাৰি।

"শুভ-বিবাহ"ৰ এটা দৃশ্যৰ ভাৱৰীয়া সকল

১। শ্ৰীযুত দুৰ্গা ফুকন—(হোজা গাৱঁলীয়া "মনবৰৰ" ভূমিকাত) দৰা চাই কলে—এনে দৰা কেই জনে পায় ?"

২। মৌ, চেহিকদ্দিন আহ্মদ—দৰাৰ বন্ধু এজনৰ ভূমিকাত।

৩। শ্ৰীযুত শৰৎ বৰুৱা—(কন্যাকৰ্ত্তা, কৃপণস্বভাৱ মনে-মুখে হৰ্ষবিষাদৰ ভাৱ। "ধোৱাঁৰাম"ৰ ভূমিকাত।

৪। মহ্মদ হৰিবুল্লা—(ধোৱাঁৰামৰ স্কুলত পঢ়া 'আপ্-টু-ডেট্' জীয়েক) "পদুমী"ৰ ভূমিকাত।

৫। শ্ৰীযুত হৰি বৰদলৈ—(পৰৰ মূৰত কঠাল ভাঙিবলৈ বিচাৰি ফুৰা অশিক্ষিত ধুন-মৰা যুৱক—দৰা) মিঃ ফত্ৰামৰ ভূমিকাত। "হিয়া পৰি গল শাঁত"—এনে ভাৱ।

৬। শ্ৰীযুত দুলাল ভূঁঞা—(মিঃ ফত্ৰামৰ বন্ধু আৰু পদুমীৰ ভূতপূৰ্ব্ব পাণি-প্ৰাৰ্থী,) "হীৰা বৰ বৰুৱা"ৰ ভূমিকাত—"হাঁয় হাঁয়" ভাৱ।

৭। শ্ৰীযুত জনাৰ্দ্দন ঠাকুৰ—(দৰাৰ ধনী বন্ধু আৰু পদুমীৰ ভূতপূৰ্ব্ব পাণি-প্ৰাৰ্থী) "মাণিক"ৰ ভূমিকাত —'নেভাৰ মাইণ্ড্'—এনে ভাৱ।

৮। শ্ৰীযুত শঙ্খ ফুকন—দৰা মিঃ ফত্ৰামৰ হতাশ বন্ধু 'মুকুতা শইকীয়া'ৰ ভূমিকাত। 'কি হব ভাবিলে বহি অবশ পৰাণ মন'—ভাৱ।



"শুভ-বিবাহ"ৰ এটা দৃশ্য।

কাঠব ব্লক

বর্ত্তমান কাল ডোথবক ছবিবে যুগ বুলিব পাবি। আজিকালি কিতাপ, আলোচনী, বাতবিকাকত আদি



ষ্টেশন হাউচ—তেজপুব

সকলোতে ছবিব প্রাচুর্য্য দেখা যায়। আমাব দেশতকৈও ইংলণ্ড, আমেবিকা, জাপান, জার্ম্মান আদি দেশব আলোচনী, কাকত, কিতাপ ছবিবে ভবপুব।

ছবিব কেবাটিও সুবিধা আছে। প্রধান সুবিধা হৈছে—ছবি থাকিলে বিষয়টো বুজাত সহজ হয়। এ ছবি ছপাবলৈ প্রথমে ব্লক কবাই লব লাগে। সাধাবণ তাম আৰু দস্তা পাততে ব্লক হয়। কেতিয়াবা কেতিয়া কাঠবো ব্লক তৈয়াব কবা হয়। এই কাঠ ব্লক কবাটো এটা বেলেগ শিল্প। আজিকালি এনেকৈ কাঠব ব্লক ছপা ছবিবেও (wood cut printing) মানুহব মন আৰ্ষ হোৱা দেখা গৈছে। আৰু বাতবি আলোচনী বিলাকত কাঠব ব্লকব ছবি প্রকাশ হব লাগিছে। তেজপুবব শ্রীযু

প্রথম কুমাব বসুয়ে এই শিল্পত নিপুণতা লাভ কবিছে। তেওঁ ভালেমান কাঠব ব্লকব চবিব এখন 'এলবাম' ছপাই লগতে প্রকাশ কবা হ'ল। ইয়াব আগেয়ে 'আৱাহন'ত শ্রীযুত বসুব ছবি দুই এটা প্রকাশ কবা হৈছে।



উমানন্দ



জীর্ণ সমাধি

উলিয়াইছে, তেওঁব 'উমানন্দ', 'জীর্ণ সমাধি' আৰু 'তেজপুব ষ্টেছন হাউচ'—এই তিনিটা কাঠব ব্লকব ছবি ইয়াব



শ্রীযুত প্রথম কুমাব বসু

তেওঁব এনে বিণাক ছবিব নিমিত্তে কলিকতাব কেবাখনো কাকতত তেওঁব প্রশংসা কবা হৈছে। আমিও এই সুকুমাব শিল্পী গবাকীব উন্নতি কামনা কবিছোঁ।

ডিমাপুৰৰ ভগ্নাৱশেষ

অসমৰ পুৰণি সম্পদ ডিমাপুৰতো কামখিনি নাই। সেই বিলাক যথাযথৰূপে পোহৰলৈ আনিবলৈ বিশেষ চেষ্টা একো এতিয়াও হোৱা নাই। অৱশ্যে এনে চেষ্টাৰ মূলতে টকাৰ আৱশ্যক হয়। নহলে ইমান দিনে তাৰ বহুতখিনি বাহিৰত জনাজাত হবৰ সুবিধা পালে হেঁতেন। আজি কেইছৰ মানৰ আগেয়ে কামৰূপ অনুসন্ধান সমিতিৰ পক্ষৰ পৰা স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী, বায়ৰাহাদুৰ শ্ৰীযুত কালিচৰণ সেন, আৰু শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱাই ডিমা-পুৰৰ ভগ্নাৱশেষ পৰিদৰ্শন কৰি আহিছিল। সমিতিৰ হাতত যথেষ্ট পুঁজি নথকাটোৱেই সমিতিৰ কাম যিমান যোৱে হব লাগিছিল সিমান যোৱে নোহোৱাৰ কাৰণ। বাইজ আৰু গভৰ্ণমেণ্ট দুয়ো পক্ষৰ পৰা ইয়াৰলৈ সহানুভূতি দেখুৱা আৱশ্যক।



মাজত টাইবে—শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ,



বাওঁ ফালৰপৰা :—শ্ৰীযুত যোগেন্দ্ৰ নাথ বৰুৱা, বায়ৰাহাদুৰ শ্ৰীযুত কালীচৰণ সেন, স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী

১৯১৬ চনৰ বড়দিনৰ সময়ত গুৱাহাটীত স্বৰ্গীয় গঙ্গা গোবিন্দ ফুকন ডাঙৰীয়াৰ সভাপতিত্বত বহা অসম এছোচিয়েশ্যনৰ সেৱক সভ্য—

শ্ৰীযুত বৰদলৈ ডাঙৰীয়াৰ পৰা দোঁহাতলৈ শ্ৰীযুত বাজেন্দ্ৰনাথ বৰুৱা, শ্ৰীযুত অখিৰা গোসাই, শ্ৰীযুত ধৰণী বেজবৰুৱা, শ্ৰীযুত ৰাম ৰবা, শ্ৰীযুত কুমুদ গোসাই, শ্ৰীযুত কমলেশ্বৰ। বাঁও হাতলৈ—শ্ৰীযুত কালীপ্ৰসাদ বৰুৱা ×, শ্ৰীযুত পদ্মধৰ চলিহা, শ্ৰীযুত তৈয়বুল্লা, × ×,

দিয় দি বাওঁ ফালৰ পৰা— ×, ×, ×, ×, ×, শ্ৰীযুত নগেন্দ্ৰ ফুকন, ×, শ্ৰীযুত লক্ষেশ্বৰ বৰুৱা, শ্ৰীযুত বেহুধৰ শৰ্ম্মা, ×, শ্ৰীযুত কপেশ্বৰ শৰ্ম্মা, শ্ৰীযুত যোগেশ তামুলী, শ্ৰীযুত প্ৰেমধৰ হাজৰীকা, শ্ৰীযুত যাদৱ চন্দ্ৰ শ্ৰীযুত বাধিকাপ্ৰসাদ বৰুৱা, ×, ×, ×।

৺মোহিনীকান্ত হাতীবৰুৱাৰ সাংসাৰিক চিন—

৺হাতীবৰুৱা অসম জননীৰ এগবাকী সুসন্তান আছিল। তেখেতৰ দেশ সেৱাই তেখেতক অমৰ কৰি ৰাখিছে।



চোৰালীটৰে সৈতে শ্ৰীযুতা শান্তিপ্ৰভা হাতীবৰুৱাণী

তেখেতৰ বিধবা ভাৰ্য্যা শ্ৰীযুতা শান্তিপ্ৰভা হাতীবৰুৱানী সাহিত্যিক পেলনাৰ বায় চাহেব শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়াৰ উপযুক্ত কন্যা। শ্ৰীযুতা হাতীবৰুৱানী ডাঙৰীয়ানীয়েও সাহিত্য সেৱাত মনযোগ দিয়া বৰ সুখৰ কথা হৈছে। আমি আশা কৰিছোঁ তেখেতে সময়ত গৈ বিখ্যাত অসমীয়া মহিলা কবি হৈ উঠিব পাৰিব।

৺হাতীবৰুৱা ডাঙৰীয়াৰ একেটি মাথোন কন্যা সন্তান আছে। আমি এই একনিষ্ঠ দেশ সেৱকৰ ভাৰ্য্যা-কন্যা দুটিৰ সুখ-শান্তি আৰু মঙ্গলৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

মনিৰাম দেৱানৰ স্মৃতি—

আজি দুবছৰৰ পৰা মনিৰাম দেৱানৰ তিথি উৎসৱ হবলৈ আৰম্ভ হৈছে। প্ৰধানতঃ শ্ৰীযুত বেহুধৰ শৰ্ম্মা ডাঙৰীয়াৰ চেষ্টাতে এই অনুষ্ঠান গঢ়ি উঠিছিল। আমি এনে এগৰাকী পুৰুষৰ পূজা কৰিবলৈ পাই ধন্য মানিছোঁ। আৰু শ্ৰীযুত বেহুধৰ শৰ্ম্মা ডাঙৰীয়াৰ বিশেষ শলাগ লৈছোঁ। এই তিথি উৎসৱৰ ১ম অধিবেশন শ্ৰীযুত নিলমনি ফুকন ডাঙৰীয়াৰ সভাপতিত্বত বহিছিল। এইবাৰ ইয়াৰ ২য় অধিবেশন শ্ৰীযুত নবনাথ শৰ্ম্মা ডাঙৰীয়াৰ সভাপতিত্বত যোৱা ফেব্ৰুৱাৰী মাহৰ ২১ তাৰিখে (১৯৩২) হৈ গৈছে।



মনিৰাম দেৱানৰ তিথি উৎসৱ চাৰিং—২১ ফেব্ৰুৱাৰী ১৯৩২

এই উৎসৱো লাহে লাহে গোটেই অসমতে বিয়পি পৰিব বুলি আশা কৰিব পাৰি।

ভাৰতীয় বৈজ্ঞানিকৰ কৃতিত্ব

কলিকতা বিশ্ববিদ্যালয়ৰ শ্ৰীযুত বমেশ চন্দ্ৰ মজুমদাৰ এম,-এচ-চি, পি, আৰ, এচে জাৰ্ম্মানীৰ "জেনা" বিশ্ববিদ্যালয়ৰ পৰা তাৰ সৰ্ব্বোচ্চ উপাধি "সুম্মা-কুম-লৌডে" লাভ কৰিছে। জাৰ্ম্মানীত চাৰি বিষয়ৰ 'ডক্টৰ' উপাধি আছে। তাৰ ভিতৰত এই উপাধিটোৱে সকলোতেকৈ ডাঙৰ। এই উপাধি সহজে দিয়া নহয়।

বকতা লাছিত উৎসৱ—



বকতা লাছিত উৎসৱৰ সভাপতি শ্ৰীযুত বেনুধৰ শৰ্ম্মা

লাছিত উৎসৱ আজি গোটেই অসমতে এটা জাতীয় অনুষ্ঠান হৈ পৰিছে। বীৰ পূজালৈ এনে জাগ্ৰতভাৱ এটাই অসমীয়া জাতিৰ সকলো অৱসাদ আতৰাই আনিছে যেন লাগিছে।

এইবাৰ বকতাত শ্ৰীযুত বেনুধৰ শৰ্ম্মা ডাঙৰীয়াৰ সভাপতিত্বত এই উৎসৱ মহা সমাৰোহে সমাধা হৈ গ'ল।



বকতা লাছিত উৎসৱ—২৪, জানুৱাৰী—(১৯৩২)

আমানুল্লাৰ আত্মচৰিত

'বাৰ্লিন জৈটাং' নামৰ কাকতত লিখা হৈছে:— আফগনিস্থানৰ ভূতপূৰ্ব্ব আমীৰ আমানুল্লাই এতিয়া তেওঁৰ আত্ম-চৰিত এখন লিখিব লাগিছে। কিতাপখন বৰ চকমকীয়া হব আৰু তাত বহুত শিকিব লগীয়া বিষয় থাকিব বুলি আশা কৰা হৈছে। অকল সেয়ে নহয় আৰু আশা যে—কিতাপখন শত্ৰু-মিত্ৰ সকলোৰে আদৰৰ বস্তু হব আৰু বিশ্ব-সাহিত্য ক্ষেত্ৰত ই ওখ ঠাই অধিকাৰ কৰিব পাৰিব।

এই কিতাপখন চোভিয়েট কমিটিৰ তত্বাৱধানত এটি উৎসাহী ৰুচীয়ান কোম্পানীয়ে প্ৰকাশ কৰিবলৈ গাত লৈছে বুলি প্ৰকাশ।

বিলাতত ভাৰতীয় আমৰ বজাৰ

বম্বেৰ গভৰ্ণমেণ্ট 'হৰ্টিকালচাৰিষ্ট' ডাঃ চীমাই বিলাতত ভাৰতীয় আমৰ পৰীক্ষা চাবলৈ বুলি এচালান আম 'কভেণ্ট গাৰ্ডেনলৈ' পঠাইছিল। বিলাতৰ এম্পায়াৰ মাৰ্কেটিং বোৰ্ডে চাই সেই আম ভাল অৱস্থাত পাইছিল। এতিয়াৰ পৰা আমৰ বতৰত প্ৰতি সপ্তাহতে বিলাতলৈ আম পঠোৱা হব বুলি আশা হৈছে। বিলাতত একোটা আমৰ বেচ প্ৰায় এটকা।

আম ভাৰতত বৰ প্ৰচুৰ হলেও বিলাতত তেনে নহয়। তাত ই এক ৰকম আচহুৱা বস্তু। তাতে আকৌ আমত ভাইটামিন চি (C) বৰ বেছিকৈ থকাৰ লগতে ভাইটামিন এ (A) ও যথেষ্ট পৰিমাণে আছে বুলি লিষ্টাৰ ইনষ্টিউটে (Lister Institute) মত প্ৰকাশ কৰিছে। ভাইটামিন এ (A) মানুহক নানা ৰোগৰ বীজাণুৰ আক্ৰমণৰ পৰা ৰক্ষা কৰে।

এই বিলাক নানা গুণত বিলাতত আমৰ বৰ আদৰ বাঢ়িছে। ভাৰতৰ পৰা বিলাতলৈ আম পঠাওতে আম চেচা ৰাখিবলৈ উপায় কৰি পঠাব লাগে।

অসমত কিন্তু ভাল আম দেখা নাযায়। বহুত পৰিমাণে আমৰ গছ দেখা যায় সঁচা আৰু তাত আম নলগাও নহয় কিন্তু পচিম ভাৰতৰ আমৰ তুলনাত সিবিলাকক আমকে বুলিব নোৱাৰি। অসমত এই উপকাৰী আৰু বঢ়িয়া ফলৰ উন্নতি সাধনৰ কিবা উপায় সম্ভৱ হলে তাক অৱলম্বন কৰা উচিত।

জাহাজৰ লগত মোটৰ গাড়ীৰ প্ৰতিযোগিতা

বৃটিছ ইণ্ডিয়ান জাহাজ কোম্পানীৰ "মেনোৰা" জাহজৰ লগত লণ্ডনৰ পৰা কলিকতালৈ প্ৰায় আঠ হেজাৰ মাইল প্ৰতিযোগিতা কৰিবলৈ কাপ্তেন টি ইয়েটছ্ বেনিয়ন নামে এগৰাকীয়ে এখন সৰু মোটৰ গাড়ীত ৰওনা হৈছে। তেওঁ কেৱল ইংলিচ প্ৰণালীটোহে যাহাজেদি পাৰ হব। বাকী আটাইখিনি মাটিৰ বাটেদি আহিব। তেওঁ ৫৫০ মাইল বাট ডামস্কচ আৰু বোগদাদৰ বিস্তৃত মৰুভূমিৰ মাজেদি আহিবলৈ স্থিৰ কৰিছে।

এনে বিলাক দৃষ্টান্তই মানুহৰ সাহ, উৎসাহ আদি বাঢ়ি উঠাত সহায় কৰে। ইমান ডাঙৰ সাহৰ কাম একো হাতত ললেও আমাৰ অসমতো এনে বতাহ বা লাগিছে। আৰু সৰু আৰু সাধাৰণ হলেও দুই এটা প্ৰতিযোগিতাৰ কথা প্ৰকাশ হব লাগিছে। ই বৰ শুভ লক্ষণ। অদূৰ ভবিষ্যতত আমাৰ অসমীয়াৰ মাজতো এনে নানা বিষয়ৰ উৎসাহে ভৰি পৰিব।

আমাৰ পুৰণি শিল্পকলা

—শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী

স্বৰ্গদেৱ শিৱসিংহৰ ভোগৰ কাল ১৭১৪-১৭৪৪। এইজন ৰজাৰ দিনত দেশত অশেষ কল্যাণকৰ কাম সাধিত হৈছিল। গুৱাহাটীত থকা দৰবাৰ-মন্দিৰৰ শিলৰ ফলিত মহাৰাজ শিৱসিংহৰ বৰ্ণনা পঢ়িলে আচৰিত হব লাগে। স্বৰ্গীয় পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে এই ফলিৰ পাঠ তাহানি আলোচনী কাকতৰ দ্বিতীয় বছৰৰ নৱম সংখ্যাত প্ৰকাশ কৰি গৈছে। কিন্তু ফলিৰ প্ৰতিলিপি প্ৰকাশ কৰা নাছিল। সম্প্ৰতি দৰবাৰ-মন্দিৰৰ শিলৰ ফলি কামৰূপ অনুসন্ধান সমিতি গৃহত ৰক্ষিত হৈছে।

এই ফলিত মহাৰাজ শিৱসিংহৰ কীৰ্ত্তি অশেষভাৱে বৰ্ণিত হৈছে। মহাৰাজক এইদৰে বৰ্ণোৱা আছে—"যাৰ চৰণযুগল সকলোবিলাক সামন্তৰজাৰ মুকুটমণিৰ কিৰণ-মালাৰে সুশোভিত, যাৰ শৰীৰৰ সৌন্দৰ্য্যই কামদেৱৰ দৰ্পক দলন কৰিছে, যাৰ প্ৰৱল প্ৰতাপস্বৰূপ অগ্নি দিগদন্তাল বিলাকৰ কাণ লৰোৱা বতাহত প্ৰজ্জ্বলিত হৈছে, যাৰ নানা-বিধ দানৰ খিতাপ দেখি কল্পতৰুৱে লাজ পাইছে, যাৰ ধেনুৰ পৰা ভয়ানক শব্দেৰে ওলোৱা শৰবিলাকে প্ৰৱল শত্ৰুবিলাকৰ গাত পৰি থকা-সৰকা কৰে, যাৰ অখণ্ডিত যশোৰাশি সদাশিৱৰ অট্টহাসি গোট মাৰি হোৱা কৈলাশ পৰ্ব্বতৰ কান্তিৰ নিচিনা ধবল, যাৰ ঐশ্বৰ্য্যৰ অংশ মাত্ৰই গোটেইখন ব্ৰহ্মাণ্ডক আবৰিব পাৰে, যি গাম্ভীৰ্য্য, উদাৰতা, দয়া আৰু নীতি আদি ৰত্নবিলাকৰ সাগৰ স্বৰূপ, (আৰু) ইন্দ্ৰবংশত জন্মগ্ৰহণ কৰোঁতা সেয়ে সৌমাৰ দেশৰ ৰজা স্বৰ্গদেৱ শ্ৰীশ্ৰীমৎ শিৱসিংহ মহাৰাজা। অষ্টাদশ শতাব্দিৰ পুৰণি হস্তীবিদ্যাৰ্ণৱ পুথিত মহাৰাজ শিৱসিংহ আৰু তদীয় মহিষী অম্বিকা দেৱীৰ সুন্দৰ চিত্ৰ আছে। আমি ৰজা-ৰাণী একেলগে থকা আৰু বিভিন্ন আসনত থকা দুই অৱস্থাৰ দুখন চিত্ৰ প্ৰকাশ কৰিলোঁ। পুৰণি চিত্ৰাঙ্কন বিদ্যাৰ নিদৰ্শনৰ বাহিৰেও আহোম ৰাজচ'ৰাৰ আওভাও, ৰজা-ৰাণীৰ সাজ পাৰ, সেৱক আৰু সেৱিকাসকলৰ আসন-বসন ইত্যাদি বিবিধ লক্ষণ এই দুই চিত্ৰত প্ৰকাশ পাইছে।

কবিতা—

সোদৰোপম ৺দেৱেন্দ্ৰৰ বিয়োগত

'মিত্ৰদেৱ'

বিধিয়ে গোপনে বহি গঢ়িলে শৰীৰ
সুললিত স্বৰ দিলে সুকণ্ঠ কিন্নৰে।
কোমল কমল কলি অঙ্গুলি পৰশি
সঙ্গীতৰ মন্ত্ৰ দিলে দেৱ বিদ্যাধৰে॥

শিল্পী গুৰু বিশ্বকৰ্ম্মা শিতানত বহি
শিৱত বুলালে হাত শুভ আশীষেৰে।
দেৱৰাজে সঞ্চাৰিলে সাহস হিয়াত
পঠালে অমৰ শিশু মৰৰ বেশেৰে॥

সৰগৰ সুৰ আনি সৰ্ত্যত বিলোৱা
প্ৰাণে প্ৰাণে নসহিলে নিষ্ঠুৰ নিয়তী
ছেগ বুজি হৰি নিলে কোলা উদঙ্গাই
দেৱেন, দেৱেন মোৰ 'মৌ সনা গীতি॥

আপোন আপোন সুৰে আপোন মাতেৰে
বাজে যেন সিপাৰেদি বিণি বিণি বিণি।
(১) "অ' তৰা, অ' তৰা, অ' তৰা" বুলি
কোমল কৰুণ এটি কবিৰ বাগিনী॥

---

(১) বোগত পৰাৰ আগদিনা দুপৰীয়াদৈকে বেকৰ্ডৰ কাৰণে সঙ্গীতজ্ঞ শ্ৰীযুত কীৰ্ত্তিনাথ শৰ্ম্মা ৰবদলৈ দেৱৰ "অ' তৰা যাওঁ সাগৰলৈ" এই গীতটি সাধি আছিল।

বামুণপুখুৰী ছাত্ৰ-সম্মিলনৰ ৪ৰ্থ বছেৰেকীয়া অধিবেশনৰ সভাপতিৰ অভিভাষণ

—শ্ৰীযুত বিনন্দচন্দ্ৰ বকৰা, বি-এ

সমবেত সুধীমণ্ডলী আৰু মোৰ সোদৰ প্ৰতিম মৰমৰ ছাত্ৰসকল!

যি ভগৱন্তই নিৰাকাৰ হৈয়ো সাকাৰৰ দৰে সদায় সংসাৰৰ সকলো কাম কৰে, যি ভগৱন্ত গোটেই ব্ৰহ্মাণ্ড ব্যাপি আছে, যি অমিত, পানীত, ওষধিত বৰ্ত্তমান, যাক পৃথিবীৰ সকলোতে বেলেগ বেলেগ নামেৰে স্মৰণ কৰি তৃপ্তি লাভ কৰে, যাৰ মানত সৰু, ডাঙৰ, দুখীয়া, চহকী, শাসক আৰু শাসিতৰ পার্থক্য নাই সেই একমাত্ৰ জগত কৰ্ত্তাই আমাৰ সকলোৰে মঙ্গল কৰক; আমাৰ ওপৰত শান্তিৰ ফুল বৰিষণ কৰক। আমাৰ সকলো কাম শান্তিময় হওক মঙ্গলময় হওক!

মৰমৰ ছাত্ৰসকল! তোমালোকে এই সভাৰ সভাপতি হবলৈমোক কি বুলি মাতি আনিছা মই তাক ভাবিয়েই পোৱা নাই। যি আসন এসময়ত অসমৰ অবিসম্বাদিত জননায়ক, দেশভক্ত ফুকন ডাঙৰীয়াই শোভা কৰিছিল, সেই আসনলৈ এই নিঃকিনক কোন সাহেৰে নিমন্ত্ৰণ কৰিলা, তাক তোমালোকেই হে জানা! ১৯১৭ চনৰ পৰা নিজৰ ঠাইত থকন এনে সম্মিলন প্ৰতিষ্ঠা কৰি চলোৱাৰ নিমিত্তে, অসম ছাত্ৰ সম্মিলনৰ দায়িত্বপূৰ্ণ সম্পাদকীয় বাৰ লোৱাৰ নিমিত্তে বা সমগ্ৰ অসমৰ ছাত্ৰ-বন্ধুসকলে অনুগ্ৰহকৈ তেওঁবিলাকৰ সমাজৰ মুখপত্ৰ 'মিলন' সম্পাদিত কৰিবলৈ দিয়াৰ নিমিত্তেই যদি এই সভাৰ সভাপতি হবলৈ নিমন্ত্ৰণ কৰিলা তেন্তে তোমালোক হতাশ হবা। কাৰণ, এই বিলাক কাৰ্য্যৰ দেখাত কাৰণ হলেও, আচল কাৰণ আৰত থাকি আনক সহায় কৰিবলৈ ভাল পোৱা মৰমৰ বন্ধুসকল, যাক এই নিঃকিনে গোটেই জনমতে পাহৰো বুলিও পাহৰিব নোৱাৰে। তেখেতসকললৈ মনত পৰিলে এতিয়াও কৃতজ্ঞতাৰ চকুলো বৈ আহিব খোজে। মৰমৰ ছাত্ৰসকল! এতিয়া আৰু তেতিয়াৰ ভিতৰত বহুত পার্থক্য। তেতিয়া যিফেৰি শক্তি ভগৱন্ত বস্তুৱে দিছিল সেইফেৰি এতিয়া নাইকিয়া হবলৈ ধৰিছে। সংসাৰৰ অভাৱ অনাটন, চিন্তা ভাবনা আদিয়ে লাহে লাহে শিপাবলৈ ধৰিছে। তেতিয়াৰ শক্তি এতিয়াৰ এই শক্তিৰ ভয়ত আতৰৰ পৰাই ভুমুকি মাৰি যাৰৰ উপক্ৰম কৰিছে। তোমালোকৰ ওচৰতে মোতকৈ অনেকগুণে জ্ঞান আৰু বয়সত বৃদ্ধ বহুত আছে, তেখেতসকলক এৰি এই অভাজনলৈ চকু দিয়াতেই ইমানবোৰ কৰলৈ বাধ্য হৈছো। এই অভিজ্ঞতাহীন লোকে তোমালোকক বিশেষ কিবা কৈ যে তৃপ্তি দিব পাৰিব তাৰ আশা নাই। ভাষাত কবিতাৰ স্বৰ নাই, ৰসৰ নিজৰা নাই, উপদেশৰ গাম্ভীৰ্য্য নাই। আছে মাত্ৰ কেতবিলাক লৰালৰিকৈ জুকিয়াই অনা নীৰস কথা। কিন্তু মৰমৰ ভাইহঁত বিশ্বাস কৰিবা সেয়ে সৰল মনৰ প্ৰেৰণা। আমাৰ এষাৰ কথা আছে, মাতিলে ৰণলৈও যাবা, নেমাতিলে ভোজলৈও নেযাবা, সেই কথাকে সাৰোগত কৰি ৰণলৈ অহাদি আছিছোঁ। অন্তৰত আশা আছে, ৰণত যেতিয়া বিশিষ্ট সৈনিকৰ অভাৱ নাই, নিতান্ত অযোগ্য সৈনিকেও পাছে পাছে নিশ্চয় খোজ লব পাৰিব। তোমালোকে কবলৈ মাতি আনিছা সেই দেখিহে কৈছো। আমনি পালেও উপায় নাই। নিজগুণে সন্তুষ্ট হৈ ক্ষমা কৰিবা। উপস্থিত সুধীসকল, আপোনালোকেও যেন এই অভাজনক ক্ষমা কৰে। শক্তিৰ অনাটনৰ কথা সভাপতিৰ গত বুলি নধৰি, অন্তৰেৰে

উপলব্ধি কৰা কথা বুলি ললেহে মোৰ প্ৰতি অন্যায় কৰা নহব।

মৰমৰ ছাত্ৰসকল! মানুহ বুলিলেই কৰ্ত্তব্য আছে। মনুষ্য জীৱন কৰ্ম্মৰ সমষ্টি। কৰ্ত্তব্য নকৰাকৈ থাকিলে প্ৰকৃতিয়ে মানুহক শুদাই নেৰে। সংসাৰত অভাৱ নহব পাৰে। সেইবুলি কৰ্ত্তব্য নোহোৱাকৈ থকা উচিত নহয়। আদৰ্শ স্থলত কৰ্ত্তব্যৰ অভাৱ হলে সংসাৰৰ ভয়ঙ্কৰ হানি হব। সেই দেখি গীতাত ভগৱন্তই কৈছে "মোৰ একোৰে অভাৱ নাই তথাপি মোৰ একো অকৰ্ত্তব্য নাই। মই কৰ্ম্ম নকৰিলে মোক দেখি সকলোৱে কৰ্ম্ম পৰিত্যাগ কৰিব।" সুধীসকলে কৰ্ত্তব্যৰ কথা কলোবৰকৈ বহল নকৰি থুপতে তিনটিৰ কথা কয়। নিজৰ প্ৰতি কৰ্ত্তব্য, লোকৰ প্ৰতি কৰ্ত্তব্য আৰু দেশৰ প্ৰতি কৰ্ত্তব্য। কিন্তু যিমানেই ভাগ কৰক এই সকলোবিলাকেই শেহত নিজৰ প্ৰতি কৰা কৰ্ত্তব্যৰ অন্তৰ্ভুক্ত হৈ পৰে। যেই হক ছাত্ৰৰ গাতো এই কৰ্ত্তব্যবিলাক লাগি আহিছে। জন্মৰ দিন ধাৰ হাত ভৰি লাগি অহাদি কৰ্ত্তব্য লাগি আহিছে। কৰ্ত্তব্য নোহোৱা মানুহ পানীত ওপঙি ফুৰা কাঠৰ টুকুৰাৰ নিচিনা। কৰ্ত্তব্যবিলাক পৰিপাটিকৈ পালন কৰিবৰ নিমিত্তেই বোধকৰো ছাত্ৰ, ছাত্ৰ হব লগাত পৰিছে। তাকে নিয়াৰিকৈ পালন কৰিবৰ ব্যৱস্থা আদি বিচাৰিয়েই বোধকৰো ছাত্ৰসন্মিলন আদি পতা হয়।



শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা, বি-এ
(কলিকতাত মিলনৰ সম্পাদক থকা অৱস্থাৰ)

এনে সভা সমিতি আদিৰ আৱশ্যক অনাৱশ্যকলৈ সদায় সকলোৱে শুনি আহিছে। কোনোৱে এনেবিলাক অনুষ্ঠান নিতান্ত অনাৱশ্যকীয় বুলি এৰিবলৈ উপদেশ দিয়ে আৰু কোনোৱে তাৰ বিপৰীতটো কয়। তৰ্কত অৱশ্যে কোনেও কাকো বেগেতে চেৰপেলাব নোৱাৰে। ভিন্নজনে ভিন্ন-ভাৱে চাই ভিন্ন ভিন্ন মত দিয়াটো স্বাভাৱিক! মুঠতে সভা সমিতিৰ উপকাৰ নাই বুলি কব নোৱাৰি। যি হক নানান চিন্তাত ব্যস্ত হৈ থকা মানুহ বা ছাত্ৰ একে সময়তে একে ঠাইতে গোটখোৱাত নিশ্চয় উপকাৰ আছে। এদেও দুদেওকৈ এই দৰেই মানুহে মুঠ বান্ধিবলৈ শিকে এই দৰে মুঠ বান্ধিয়েই লাহে লাহে একোটা ডাঙৰ কাম কৰিব পাৰে। সভা সমিতিয়ে মানুহক কেতবিলাক নিয়ম কাৰণৰ তললৈ আনে। এই নিয়ম কাৰণ শৃঙ্খলা আদিৰ দেখাতে বা পিতাতে গুণ নহলেও মানুহক নজনাকৈয়ে এটা নতুন ভাবলৈ ঢাল খুৱাই লৈ যায়। সভা সমিতি আদিত সকলো মানুহেই কাম নকৰে, সকলো মানুহেই হাতত লোৱা প্ৰস্তাৱ অনুসৰি কামত আগ নেবাঢ়ে, দুজন এজনেই হে প্ৰায় সকলো কাম সমাধা কৰে। সভা সমিতি হোৱা মানেই বুজিব লাগিব, তাত অলপ শক্তিৰ বিশেষত্ব থকা মানুহ জনচেৰেক বা এজন আছে। সভা সমিতিয়ে বিশেষকৈ সেই কিজনক বা জনক উদ্গণি দিয়ে, সাহ দিয়ে। কোনো কোনো ছাত্ৰই শিক্ষাৰ উপৰি বাহি হোৱা সময়বিলাক শুই, বহি, পৰনিন্দা, পৰচৰ্চ্চা কৰি, তাচ, পাশা খেলি কটায়। তেনে ছাত্ৰক সভা সমিতিৰ কামত আনি লগাব পাৰিলে সংগঠনৰ বাটত ভালেখিনি উপকাৰ হয়। ভালৰ উদ্দেশ্যে মন বান্ধিলে ভালটো কৰি কৃতকাৰ্য্য নহলেও, ভাললৈ থকা উদ্দেশ্যটোৱেই মানুহক অলপ ওপৰলৈ তোলে। দুখীক পুতৌ কৰিবলৈ আগ্ৰহ হোৱাটোৱেই এটা ভাল কথা। সকলোৰে মনত সেই আগ্ৰহটোৱেই নোপজে। সভা সমিতি বিলাকত, বিশেষকৈ ছাত্ৰ সভা এখন বছেৰেকৰ মূৰত হলেও তাত প্ৰায় সজ চৰ্চ্চাই হয়; সজলোকক দেখিবলৈ পায়, সজ কথা শুনিবলৈ পায়। বছৰেকৰ মূৰত হলেও, শৃঙ্খলিত-ভাৱে এদিন গোটখাই এনে এটা সুযোগ লোৱা কোনো মতেই বেয়া হব নোৱাৰে। এইদৰে আজি কালি সভা সমিতি বেছি হোৱাৰ লগে লগে, এনে সুযোগ মাসেকে পষেকেও বিৰল নোহোৱা হৈছে। ই বাস্তবিকতে জাতিৰ শুভলক্ষণ। ছাত্ৰ সকলে নিজৰ সভাৰ আলমতে মানুহৰ মনত বিশেষ কাম যেন নলগা আৰু কেতবিলাক কাম

কৰিব পাৰে। এজন মানুহে কোৱা কথাতকৈ এটি মুঠৰ জড়িয়তে কোৱা কথাৰ মূল্য বেছি। কাৰবাক কিবা সমূহৰ হকে অনুৰোধ কৰিব লগীয়া থাকিলেও, এজন ছাত্ৰই অনুৰোধ কৰাতকৈ সমূহৰ অনুৰোধ বিশেষ কাৰ্য্যকৰী হব, এনে সমূহৰ অনুৰোধক, যাক অনুৰোধ কৰা হয় তেওঁ বেগেতে দলিয়াই পেলাবলৈ বেয়া পায়। আনৰ কথা নকওঁ, কোনোবাই কিবা কাম কৰি, ছাত্ৰ সকলক বিপদত পেলালে বা কোনবাই ছাত্ৰ সকলক অন্যায় কৰিলে ছাত্ৰ সকলৰ গাইগুটীয়া প্ৰতিবাদতকৈ সমূহৰ প্ৰতিবাদে বিশেষ কাম কৰিব। ওপৰত কোৱা কথাবিলাকৰ পৰা দেখুৱাবলৈ চেষ্টা কৰা হৈছে যে দেখাত ছাত্ৰসন্মিলনৰ পৰা বিশেষ কাম হৈ নুঠিলেও ই একেবাৰে অথলে নেযায়।

স্থানীয় ছাত্ৰ সভা বিলাক অকল বছেৰেকীয়া অধিবেশনতে বন্ধ নেৰাখি মাজে মাজে পাতি থাকিব পাৰিলে ভাল। সকলোৱে পৰিশ্ৰম কৰি সকলো বিষয় জানিবলৈ সুবিধা কৰিব নোৱাৰিবও পাৰে। সেই দেখি প্ৰত্যেক অধিবেশনতে নিজৰ ৰুচি অনুসৰি ছাত্ৰই পুথি অধ্যয়ন কৰি বা আন উপায়েৰে জানি ৰচনা পাঠ কৰি বা বক্তৃতা দি সকলোকে নিজে যত্ন কৰি গোটোৱা জ্ঞান আনৰ মাজতো বিলাই দিলে বিশেষ উপকাৰ হব। এইদৰে মাজে মাজে বেলেগ বেলেগ চৰ্চ্চা হৈ থাকিলে সভা সমিতিৰ বিশেষ সাৰ্থকতা হব। ছাত্ৰ সন্মিলন বিলাকে নিজ ঠাইত বুৰঞ্জী বিখ্যাত স্বদেশৰ হিত সাধোতা সকলৰ, মহাজ্ঞানী সকলৰ তিথি পালন কৰিব পাৰে, এনে তিথি পালন কৰি স্থানীয় সকলোকে নিমন্ত্ৰণ কৰিব লাগে, আৰু, সংসাৰত বুৰ গৈ থকা সকলক, গভীৰ সংসাৰ সাগৰৰ পৰা তুলি আনি ক্ষন্তেকলৈ হলেও মহাপুৰুষ সকলৰ নাম আৰু কাম সোঁৱৰাই দিব লাগে;—নিজেও সুঁৱৰিব লাগে। এনে কাম কৰিবলৈ ছাত্ৰ সকলৰ সুবিধা; কাৰণ ছাত্ৰ সংসাৰত প্ৰায়ে বুৰ গৈ নেথাকে। মহতৰ আদৰ্শই ছাত্ৰকহে নেলাগে সকলোকে মহতৰ ফালে ধাল খুৱাব পাৰে।

এনে অনুষ্ঠানৰ জড়িয়তে ছাত্ৰ সকলে গাঁৱৰ বা নগৰৰ মাজ ঠাইত পঢ়াৰ সুবিধাৰ নিমিত্তে পাঠাগাৰ আদি পাতিব পাৰে। তেনে পাঠাগাৰলৈ দেশৰ বা বিদেশৰ চাই চাই বাতৰি কাকত আনিব পাৰে। এই দৰে বাতৰি কাকত আদি লবলৈ বিশেষ সুবিধা। গাইপতি বাতৰি কাকত লব পৰা শকতিৰ মানুহ আমাৰ ভিতৰত নিচেই তাকৰ। এনে সুবিধা কৰি লব পাৰিলে গোটেই পৃথিবীৰ বাতৰি আমাৰ কাণত পৰি থাকিব। ছাত্ৰ সকলৰ উদ্যমত আনেও তেনে কাকত আদি থাওকতে পঢ়িবলৈ পাই উপকৃত হব। কিতাপ পত্ৰ পঢ়িব পৰা মানুহে লোকক দেখি এবাৰ দুবাৰ আহি কাগজ পত্ৰ চালে পঢ়াৰ অভ্যাসেই হৈ যাব পাৰে। এইদৰে গাৱঁতো পঢ়ুৱাই সমাজ গঠনৰ সুবিধা হব। গাৱঁৰ যিসকল লোকে পঢ়িব নেজানে সেই সকলেও পঢ়িব জনা সকলৰ পৰা গোটেই পৃথিবীৰ বাতৰি আদি পাই থাকিব। এইদৰে বহল পৃথিবী সকলোলৈকে চাপ খাই আহিব। বিজ্ঞান দৰ্শনৰ নতুন কথাও আহি সাধাৰণৰ কাণত পৰি সুফল ফলিব। এইদৰে দেশ ক্ৰমান্বয়ে উন্নতিৰ পথত আগুৱাব পাৰিব।

ছাত্ৰ সকলে সন্মিলনৰ পৰা সেৱা-সঙ্ঘ প্ৰতিষ্ঠা কৰি স্বাস্থ্যবিষয়ক সাধাৰণ জ্ঞান গাৱেঁ গাৱেঁ জনাই দিলে বিশেষ উপকাৰ হব। এই বিলাক কামত ধন নহলেও হয়। লাগে মাথোন মন। প্ৰত্যেক গাৱঁৰ ছাত্ৰ সকল গোট খাই মাজে মাজে গাৱঁলীয়া গৃহস্থৰ ঘৰলৈ গৈ, কথাৰ চলত সাধাৰণে স্বাস্থ্যৰ বিষয়ে পালিব লগীয়া কথাখিনি জনাই দি বাৰীৰ খাল, ডোবা আৰু অস্বাস্থ্যকৰ ঠাই ভাল কৰিবলৈ অনুৰোধ কৰিব লাগে। পাৰিলে নিজে কৰি দেখুৱাই দিলে আৰু ভাল হয়। লোকেলবৰ্ড বা আন কৰ্ত্তৃপক্ষলৈকে অকল বাটচাই নেথাকি গাৱঁৰ আলি পদুলি পুখুৰী আদি বছেৰেকৰ মূৰত এবাৰ মেৰামতি কৰাও টান। সেই কাৰণে প্ৰায়ে আলিৰ ওপৰত বোকাৰ গাত হৈ পানী বন্ধ যায়। আলিৰ দাঁতিত গছ গজি হাবি হয়, এনে বিলাকে গাৱঁৰ স্বাস্থ্য হানি কৰে। স্থানীয় ছাত্ৰ সন্মিলনৰ পৰা ছাত্ৰ সকল ওলাই ছুটিৰ দিনত এই বেয়া বিলাক ভাল কৰি ললে গাৱঁৰ স্বাস্থ্য অটুট থাকিব। ফুৰি চাকি ভাল লাগিব। মনো মুকলি হব। ৰাজহুৱা পানী খোৱা পুখুৰী থাকিলে সেই পুখুৰী

যাতে সদায় ভালে থাকে তালৈ ছাত্ৰ সকলে বিশেষ চকু দিব লাগে। পানীয়েই জীৱনধাৰণৰ প্ৰধান সম্বল, এই পানীয়েই সকলো বেমাৰ আজাৰৰ গুৰি। যাতে পানী ভালে থাকে- পানীত যাতে সংক্ৰামক ব্যাধিৰ বীজে গা কৰিবলৈ চল নেপায় তালৈ ছাত্ৰ সকলেই বিশেষ চকু দিয়া উচিত। আমাৰ গাৱঁত ছাত্ৰ সকলৰ বাহিৰে এই বিষয়ে চকু দিয়া বা এই বিষয়ে সাৱধান লোৱা মানুহ অতি কমহে থাকে। ছাত্ৰ সকলে এই বিলাকৰ বিষয়ে পঢ়াশালিত শিক্ষা পাই থাকে। সেই দেখি এই বিলাক ভাব মনত নতুন হৈ থাকে। স্কুল কলেজৰ ছাত্ৰ বুলিলে অলপ দিনলৈকে কোৰ কটাৰী মৰা আদি কাম নীহ যেন ভাবিছিল আৰু নকৰিছিল। তাকে দেখি গাঁৱৰ ডেকা ডঙুৱায়ো এইবিলাক কাম এৰি ধিটিঙালি কৰিবলৈ ভাল পাইছিল। বৰ্ত্তমান শিক্ষা বিস্তাৰৰ লগে লগে, আৰু, আখৰ চিনিলেই এষাৰ পঢ়িব পাৰিলেই, অন্ততঃ বাগিছাৰ মহৰি কামৰ অভাৱ হোৱাৰ লগে লগে, সমাজৰ পৰা এনে কু-ভাব দূৰ হৈছে। ছাত্ৰ সকলেই এসময়ত আদৰ্শ স্বৰূপ হৈ সাধাৰণক নিষ্কৰ্ম্মা কৰিছিল। এতিয়াও ছাত্ৰ সকলেই সাধাৰণক কৰ্ম্মী হবলৈ আদৰ্শ দেখুৱাব লগা হৈছে। ছাত্ৰ সকলে বা শিক্ষিত সকলে কোৰ কটাৰী হাতত লৈ দেখুৱালে আনে আগ নেবাঢ়ি নোৱাৰে। পৰিশ্ৰমৰ মৰ্য্যাদা দিনে দিনে বাঢ়ি গৈছে ই বাস্তবিকতে বৰ শুভ লক্ষণ। ছাত্ৰ সকলে, শিক্ষিত সকলে, নিজ গাঁৱৰ আলি পদুলি পুখুৰী আদিত কাম কৰি দেখুৱাই সৰ্ব্বসাধাৰণক মাতিলে কোনো নাহি নেথাকে। উপদেশতকৈ আদৰ্শ বেছি কাৰ্য্যকৰী, উপদেশ দি কাম কৰোৱা বৰ টান, কিন্তু নিজে কৰি দেখুৱাই লোকৰ হতুৱাই কৰাবলৈ ভাল। মহাত্মাই নিজে অহিংস নথকা হলে আনক অহিংস কৰিব নোৱাৰিলে হেতেন, মহাত্মাই নিজে খাদৰৰ লেংটি ব্যৱহাৰ নকৰা হলে আনে ভাল পোছাকতে খাদৰ ব্যৱহাৰ নকৰিলে হেঁতেন। খাদৰ যে পিন্ধিব লাগে আন দেশী কাপোৰ কিয় পিন্ধা উচিত নহয়, এইদৰে কোনবাই প্ৰশ্ন কৰিলে কব লাগিব, 'খাদৰ পিন্ধি ফুৰিলে সৰ্ব্বসাধাৰণক খাদৰ বা দেশী কাপোৰ পিন্ধিবলৈ কৈ নুফুৰিলেও হব। অৱশ্যে ই এটা কাৰণ। খাদৰৰ বাহিৰে আন কাপোৰ দেশী হলেও সৰ্ব্বসাধাৰণে দেশী বুলি নেভাবিব পাৰে। নিতান্ত দেশী বুলি চিনি পোৱা মুগা এড়ি পিন্ধিলেও বিশেষকৈ দেশৰ সেৱক সকল সাধাৰণৰ পৰা আঁতৰিব লগাত পৰে। কাৰণ বহুতে খাদৰ কাপোৰক কোনো মতে লব পাৰিলেও মুগা এৰি কিনিব নোৱাৰে। খাদৰৰ আদৰ্শই দুখীয়া চহকীৰ পাৰ্থক্য গুচাই দিয়ে। দেখাত পদমৰ্য্যদাৰ 'মাৰ্কা' আঁতৰাই দিয়ে। সৰ্ব্বসাধাৰণৰ খাদৰৰ পোছাকে, বিশেষকৈ অনুকৰণ কৰিব লগীয়া লোকৰ খাদৰৰ পোছাকে এটা কাণেৰে নুশুনা ইঙ্গিতত বুজা উপদেশ সকলোকে দি যায়। এই আদৰ্শই কৰা দেশৰ মঙ্গল অৱৰ্ণনীয়।

মাতৃ ভাষাৰ উন্নতি কৰা ছাত্ৰ সকলৰ সভাৰ এটা প্ৰধান কাম। ওপৰত কোৱা দৰে ছাত্ৰ সভাত ৰচনা লিখি ছাত্ৰই ভালকৈ মাতৃভাষা চৰ্চ্চা কৰিব পাৰে। পঢ়ুৱাই সমাজ গঠন কৰিলেও সাহিত্যৰ বিশেষ উন্নতি হব। আমাৰ দেশত আজি কালি ভাষাৰ বিপৰ্য্যয় ঘটিছে। অনেক কাল অসম দেশত বঙ্গালী ভাষা চলা কাৰণে আৰু গাঁৱে ভূঞে বঙ্গালী হিন্দুস্থানী মানুহ সোমোৱাৰ কাৰণে, বঙ্গালী নাট আৰু বঙ্গালী সংকীৰ্ত্তনৰ লগে লগে আমাৰ ভাষাৰ গঢ় কিবাকিবি হৈ পৰিছে, ছাত্ৰ সকলে সাৱধান হৈ এই বিষয়ে চৰ্চ্চা কৰি নিজে ভালকৈ লিখি আৰু উচ্চাৰণ কৰি কথা কলে সকলোৱে লাহে লাহে শুনি শুনি আচলটো লবগৈ পাৰিব, চলে চেলুৱে ভাবে ভাৰস্তিয়ে শুদ্ধ অশুদ্ধৰ বিষয় বুজাই দিব পাৰিলে ভালেই হয়। ছাত্ৰ সকলে যেন অনুগ্ৰহ কৰি মনত ৰাখে ভাষা নহলে জাতিৰ অস্তিত্ব নাইকিয়া হয়। সম্পূৰ্ণ ভাষা আৰু চহকী সাহিত্যৰ ওপৰত জাতিৰ উন্নতি অধোন্নতি নিৰ্ভৰ কৰে। "আগত সাহিত্য পাছত শক্তি" কথা ফাকি অকল সুশ্ৰাব্য কৰি ছন্দ মিলাবলৈকে লিখা হোৱা নাই। বুৰঞ্জীবিদ সকলে দেখিবলৈ পাব ইংলণ্ডৰ শক্তি বৃদ্ধিৰ আগতে সাহিত্যৰ আচৰিত ধৰণৰ উন্নতি। ফৰাচী ৰাষ্ট্ৰ বিপ্লৱৰ আগত এই ফৰাচীৰ প্ৰজা শক্তিয়ে নিজত্ব অনুভৱ কৰাৰ আগতে ফৰাচী সাহিত্যিকৰ

অভ্যুত্থান। সেইদৰে বুৰঞ্জীৰ পাতে পাতে সাহিত্য আৰু শক্তিৰ সম্বন্ধ সদায় দেখিবলৈ পোৱা যায়। দূৰৰ কথা নেলাগে, মহামতি ভাৰত সম্ৰাট আকবৰৰ দিনত আৰু আমাৰ নিজ প্ৰদেশৰ অধিপতি মহাৰাজ নৰনাৰায়ণ আৰু স্বৰ্গদেৱ ৰুদ্ৰসিংহ আদিৰ দিনতো সেই একে কথাকে দেখিবলৈ পাওঁ। আজি কালি অসমীয়া ছাত্ৰৰ সৰহ ভাগৰ মুখত 'শিৱসাগৰ' নোলায়, ওলায় 'চিব্‌চাগৰ', 'কলৈ যাবা' বা 'কোন ফালে' যোৱাৰ ঠাইত ব্যৱহাৰ হয় 'ক'ত যাবি', বা 'ক'ত যাবা', নিশ্চয় হয় 'নিত্‌চয়'। পদ পুথি মাতোতে খিচুৰি বঙ্গালী ভাষাৰ নাট লিখি, বঙ্গালী ভাষাৰ পাৰ্গতালি দেখুৱা সকলৰ অনুগ্ৰহত 'শ' ওচি 'চ' হলগৈ। পদ পুথি মাতোতে জনাশুনা মানুহৰ বহুতে 'অকলশৰে'ৰ ঠাইত 'একলচৰে' মতা শুনা যায়। বহুত অসমীয়া ছাত্ৰই অসমীয়াৰ তেজে মঙহে নিজা, অসমৰ আকাশে বতাহে উৰি ফুৰা, বিধ বিধ নাম এৰি বা অকণো শিকিবলৈ বা জানিবলৈ যত্ন নকৰি অকল নাচি বাগি হালি জালি "এস গৌৰাঙ্গ নদীয়াৰ সাধে" (?) গায়েই সন্তুষ্ট থাকে। তাক শুদ্ধকৈ গাব নোৱাৰা স্বাভাৱিক, বোধকৰো মূলত 'নদীয়াৰ চাঁদ' অৰ্থাৎ নদীয়াৰ চন্দ্ৰ। আমাৰ গায়ক সকলৰ সাধাৰণে বুজে, প্ৰভু গৌৰাঙ্গক নৈৰ দাতিলৈ মতা হৈছে বুলি। নৈৰ দাতিলৈ মাতিলেও আমাৰ জাঁজি, ব্ৰহ্মপুত্ৰ, টীয়কৰ দাঁতিলৈ প্ৰভু গৌৰাঙ্গ আহিব পাৰেনে নোৱাৰে সন্দেহ, আমি তেখেত সকলক মাতিব জানিছোনে নাই তালৈও চাব লাগিব। মহাপুৰুষৰ নাম লবলৈ আমি কাকো হাক দিয়া নাই, দিবৰ ক্ষমতাও নাই, গৌৰাঙ্গদেৱৰ প্ৰেমভক্তিৰ আদৰ্শ সকলোৱে গ্ৰহণ কৰক তাত আমি ভাল বেয়া বুলিবলৈকো নাই, কিন্তু নিজৰ নিজস্ব পাহৰি ভাটৌ হবলৈ যোৱাত আমাৰ আপত্তি। অপ্ৰিয় সত্য নকৈ নোৱাৰি—আমাৰ ঘৰুৱা মহাপুৰুষ সকলে দি থৈ যোৱা, খাঁটি সম্পদ নাম কীৰ্ত্তনৰ চৰ্চ্চা কৰিবলৈ সৰহ ভাগ ছাত্ৰয়ে অৱজ্ঞা কৰে, জনা শুনা বোলা, লোকে এই বিলাক প্ৰায় চৰ্চ্চা নকৰাই হৈছে। প্ৰায় পঢ়া শুনাত বিশেষ আগ নবঢ়া সকললৈকে নাম-কীৰ্ত্তন এৰি দিয়াত ক্ৰমে ই বিকৃত হোৱা একো আচৰিত নহয়, ডেকা সকলে কব খোজে বঙ্গালী সংকীৰ্ত্তনত যিমান ফুৰ্ত্তি, অসমীয়া নামত নাই। দুখৰ বিষয়, এইদৰে, মৌ নোখোৱাকৈয়ে, মৌ তিতা বুলি কোৱা আমাৰ বহুতৰ অভ্যাস হৈ গৈছে। আমাৰ বোধেৰে, নতুনকৈ বঙ্গালী সংকীৰ্ত্তন শিকাৰু সকলে, অন্ততঃ তাৰ লগে লগে আমাৰ উঠা নাম, বহা নাম, হীৰানাম আদিও অভ্যাস কৰিলে স্ফূৰ্ত্তিৰ কোনো অনাটন নঘটে। আমাৰ বুঢ়া সকলৰ ভিতৰতহে দুজন এজন নামতি দেখা যায়, তেখেত সকলৰ লগে লগে অসমীয়াৰ নিজস্ব সম্পদ এটা লোপ পালে বৰ দুখৰ কথা হব। আন ঠাইৰ কথাকে নকওঁ, অসমীয়া ভাষাৰ ভেঁটি শিৱসাগৰতে (বিশেষকৈ শিৱসাগৰ নগৰ কেন্দ্ৰ কৰি) সংকীৰ্ত্তনৰ চৰ্চ্চাত লাগি অসমীয়া নাম কীৰ্ত্তনলৈ পিঠি দিয়া একশ্ৰেণীৰ ভদ্ৰলোক ভালকৈ চকুত পৰে। জাতীয় ভাবাপন্ন প্ৰবীণ সকলক এই বিষয়ে চকু দিবলৈ কবলৈ আমাৰ সাহ নহয় কিন্তু মৰমৰ ছাত্ৰ সকলক বিনীতভাৱে খাটো, তেওঁবিলাকে যেন এইফালেও চকু দিয়ে। ইহাতে ইয়াকো কওঁ, নিজৰ জাতীয়ত্ব ৰক্ষা কৰি, আন যিমান চৰ্চ্চা কৰে সিমান ভাল, সেই বুলি নিজৰ ঘৰৰ মাণিক, দুৱাৰ চুকত পেলাই লোকৰ মাণিকৰ চিকমিকনিত ভোল গৈ হাত মেলি নিজৰ দীনতা দেখুৱাটো গোটেই জাতিৰে অপমানৰ কথা। সুখৰ বিষয় লাহে লাহে অসমীয়া নাটক সঙ্গীত আদিৰ চৰ্চ্চা দিনে দিনে বাঢ়ি গৈছে। এইদৰে আমি আত্মসম্মান ৰখাবলৈ গৈ জাতিৰ উন্নতি কৰাত যে সহায় কৰা হৈছে তাত অলপো সন্দেহ নাই। এই জাতিৰ আত্মমৰ্য্যাদা ঘূৰাই অনাৰ দিনত, কোনো কোনোৱে বঙ্গালী এজন দেখিলেই বঙ্গালী গান শুনাই নিজৰ বাহাদুৰি দেখুৱায়। দুখৰ বিষয় এনে সৰহ ভাগ 'বিশ্বপ্ৰেমিকৰ' উচ্চাৰণ আদি শুনি যে বঙ্গালী অভ্যাগতে পেটে পেটে পুতৌ কৰে তালৈ অকণো মন নকৰে। হকে বিহকে, দৰ্কাৰে অদৰ্কাৰে, যতে ততে ইংৰাজী ব্যৱহাৰ কৰাও জাতীয় সভ্যতাৰ ফালৰ পৰা অনিষ্টকৰ যেন লাগে। বৰ্ত্তমান যুগৰ জ্ঞানৰ ভড়ালৰ চাবি কাঠি, ইংৰাজীত পাৰদৰ্শিতা লাভ কৰা বাস্তবিকতে বৰ আৱশ্যকীয়। সেই বুলি অসমীয়াই অসমীয়াৰ লগত কথা

পাতোতে ইংৰাজী ব্যৱহাৰ নকৰিলেও চলে। তেনে কৰিলে, নিজৰ যেন একো ভাষাই নাই,—তাকেহে বুজায়। পৰিতাপৰ বিষয়,আমাৰ বহুতে বৰ্ত্তমান যুগতো 'মাই ডিয়েৰ ফাদাৰ' 'মাই ডিয়েৰ ব্ৰাদাৰ' ইত্যাদিৰে আৰম্ভ কৰিহে অসমীয়া চিঠিখনকে লিখে। অসমীয়াই অসমীয়ালৈ ঘৰুৱা কথাৰ নিমিত্তেও ইংৰাজী ব্যৱহাৰ কৰা কি অভ্যাস আমি বুজি নেপাওঁ। আমাৰ ছাত্ৰ সকলৰ ভিতৰত চিঠিৰ আৰম্ভত 'শ্ৰীহৰি' আদিৰ ঠাইত 'গড ইজ গুড' লিখা কি প্ৰথা, আৰু ই কৰ পৰা কেনেকৈ আহিল, তাক সেই 'গুড গডে'ইহে জানে। কোনো কোনোৱে কয় অসমীয়াত সম্বোধন কৰিবলৈ উপযুক্ত শব্দ আদি নথকাত ইংৰাজী ব্যৱহাৰ কৰা হয়। কেলৈ, 'নিবেদন' 'প্ৰিয় বৰুৱা', 'প্ৰিয় শইকীয়া' বা 'শ্ৰীযুত অমুক' আদিবোৰ লিখিলে কি বেয়া হয়? সকলো অৱস্থাতে অতি বহল অৰ্থত লিখিব পৰা 'নিবেদন' শব্দ থাকোতেও অসমীয়াত চিঠি আৰম্ভ কৰিবলৈ ইংৰাজী ব্যৱহাৰ কৰা কেনে মনৰ পৰিচায়ক তাক নকলেও হব। অসমৰ কৃতবিদ্য, বিশেষকৈ ডেকা সমাজৰ আদৰ্শস্থল এনে এজন লোকক, ইংলণ্ড আৰু আন আন পাশ্চাত্য দেশত শিক্ষালাভ কৰি ভাৰতলৈ ঘূৰি আহি কলিকতা পাবৰ পিছ দিনা, আমি কেবাজনো অসমীয়া ছাত্ৰই তেখেতক দেখা কৰিবলৈ গৈছিলো। তেখেতক আমি ভাৰতীয় ভদ্ৰলোক থকা অতিথিশালাত একেবাৰে অসমীয়া পোছাক পিন্ধি থকা দেখি আচৰিত হলো, তেখেতৰ লগত সেই গোটেই দিনটো ফুৰি চাকি কত কথা পাতিলো তাৰ অন্ত নাই। ইমান কথাৰ মাজতো তেখেতৰ মুখৰ পৰা এটিও ইংৰাজী কথা সৰি নপৰিল। যৰ মানুহে জাতীয় সন্মান ৰক্ষাৰ নিমিত্তে প্ৰাণ পৰ্য্যন্ত উছৰ্গা কৰিবলৈ কুণ্ঠিত নহয়, তাত থাকি শিক্ষিত হৈ অহা কৃতবিদ্য অসমীয়া ডেকাৰ এনে ভাব হোৱা স্বাভাবিক।

মোৰ এই দীঘলীয়া বকলাত কেতবিলাক উদাহৰণ দিয়া হৈছে যিবিলাকক সচাকৈয়ে ক্ষুদ্ৰ কথা বুলি উৰাই দিব পৰা যায়। কিন্তু এইটো মনত ৰাখিব লগীয়া কথা যে ক্ষুদ্ৰৰ পৰাইহে ৰুদ্ৰৰ সৃষ্টি হৈ জগতকো ধ্বংস কৰিব পাৰে, এটা সামান্য জাতি—কোন ছাৰ।

উপজি আহোতেই সকলোৰে গাত লাগি অহাৰ দৰেই ছাত্ৰ সকলৰ গাতো অনেক কৰ্ত্তব্য লাগি আছে। জীৱনৰ আৰম্ভতেই ভবিষ্যতলৈ সাজু হবলৈ অনেক কৰিব লগীয়া কাম আছে। কুমলীয়া বাঁহৰ দৰে ছাত্ৰ সকলে এই অৱস্থাতে নিজক যেনিয়েই ইচ্ছা তেনিয়েই অনায়াসে লৈ যাব পাৰে, এই কালৰ অভ্যাস শেষৰ দিনলৈকে থাকি যাব। কুঅভ্যাস কৰিলে, সময়ত তাৰ বেয়া ফল জানিলেও এৰিব নোৱাৰি পৰিতাপ কৰিব লাগিব। ছাত্ৰ সকলে এতিয়াৰ পৰা এনে অভ্যাস কৰা উচিত, যিহৰ দ্বাৰা ভবিষ্যতে সুখ সন্তোষ বৃদ্ধি হব, দুদিনীয়া সংসাৰ আনন্দত বুৰ গৈ থাকি চিৰকলীয়া যেন লাগি থাকিব। ছাত্ৰ জীৱন অধ্যয়নৰ উত্তম সময়, অধ্যয়ন কৰি, শিক্ষা কৰি হৃদয় পবিত্ৰ কৰি লোৱাই এই জীৱনৰ প্ৰথম কাম।

বেয়া হক ভাল হক, ভাল বুলি যি শিক্ষা বৰ্ত্তমান ছাত্ৰ সকলে গ্ৰহণ কৰিছে তাক ছাত্ৰ সকলেই ঘিণ কৰা উচিত নহয়। ঘিণ কৰিলে বেয়াৰ পৰাও যি এফেৰা ভাল পোৱা হৈছে তাৰো পৰালি পৰিব। বিদেশী শিক্ষা, পৰাধীন শিক্ষা, ঈশ্বৰ নোহোৱা শিক্ষা, ইত্যাদি কথা বহুত সঁচা কিন্তু বৰ্ত্তমান একে কোবেই সকলো পৰিবৰ্ত্তন কৰিবৰ উপায় নাই। একেবাৰে নোহোৱাতকৈ পোৱা খিনিকে কাঢ়ি সাৰ গ্ৰহণ কৰাই বৰ্ত্তমান কৰ্ত্তব্য। ইয়াৰ উপৰিও জ্ঞানৰ প্ৰকৃত ভড়াল স্বৰূপে প্ৰকৃতিয়ে বহল আকাশ পৃথিবী পেলাই থৈছে, জীৱ জন্তু সৃজন কৰি থৈছে, এই বিলাকৰ পৰাও যথেষ্ট জ্ঞান উপাৰ্জ্জন কৰাৰ বাট ওলাই আছে। প্ৰকৃতিৰ পুথিৰ পৰা নিৰক্ষৰ মানুহেও জ্ঞান উপাৰ্জ্জন কৰিব পাৰে, জ্ঞান উপাৰ্জ্জনৰ নিমিত্তে ইয়াতকৈ আৰু সৰবৰহী দ্বিতীয়খন পুথি নাই। সমাজৰ পৰা, ধাৰ্ম্মিক সকলৰ পৰা, দেশভক্ত সকলৰ পৰা অনেক জ্ঞান শিক্ষা কৰিবলৈ আছে। খোজে খোজে শিক্ষা পাবলৈ ঠাইৰ অভাৱ নাই। মাত্ৰ শিক্ষাৰ্থীৰ ইচ্ছাৰ অভাৱ নহলেই হয়। সিদিনা অলপতে কলিকতাত বহা বঙ্গালী ছাত্ৰৰ সম্মিলনত, ভাৰতৰ অন্যতম বিখ্যাত অসহযোগী নেতা মাদ্ৰাজৰ শ্ৰীযুত সত্যমূৰ্ত্তিয়ে সভাপতিৰ অভিভাষণত কৈছিল,—'বিশ্ববিদ্যালয়ৰ চাৰিবেৰৰ বাহিৰতো কাম কৰি

ছাত্ৰ সকলে অনেক শিক্ষা আয়ত্ত কৰিব পাৰে।' এই ফাকি কথা তেখেতে বিশেষকৈ ওঠৰ বছৰৰ ওপৰৰ ছাত্ৰ সকলক লক্ষ্য কৰিহে কৈছিল। বেয়াই ভালে বৰ্ত্তমান পদ্ধতিৰেও এটা শিক্ষা চলিছে, এই শিক্ষায়ো যে আমাক বহুত দূৰ আগুৱাই নিয়া নাই সেই কথা খাতাংকৈ কব নোৱাৰি।

সকলোৱেই স্বীকাৰ কৰে নকৰে কব নোৱাৰো বিদেশী বৰ্জ্জন আদি দেশৰ গঠনমূলক কাৰ্য্য বিলাক এনে শিক্ষাতেই শিক্ষিত সকলে যেনেকৈ পালন কৰিছে, সাধাৰণ একেবাৰেই পঢ়িব শুনিব নজনা মানুহে তেনেকৈ পালন কৰা নাই যেন লাগে। ক্ষণিক উত্তেজনাৰ বশবৰ্ত্তী হৈ গাৱৰ, স্কুল আদিত সমূলি শিক্ষা নোপোৱা মানুহে কাপোৰ কানি ফালি পেলোৱা আৰু পুৰি পেলোৱাও দেখিছিলো। কিন্তু সেই মানুহেই প্ৰচাৰক সকলে পিঠি দিয়া মাত্ৰকে বিদেশী কাপোৰ কিনা দেখা পাইছোঁ। কিন্তু শিক্ষিত সকলৰ ভিতৰত, যি এবাৰ কথাটোৰ গভীৰতা উপলব্ধি কৰি ব্যৱহাৰ কৰিছে তেওঁৰ মত আৰু বেগেতে সলনি নহয়। এনে লোকক বুজাই থাকিবৰো আৱশ্যক নকৰে। মুঠতে, প্ৰায়েই শিক্ষিত সকলে যেই সেই কামটো কৰাৰ আগতে উত্তেজিত হৈ ক্ষন্তেকতে নকৰি ধীৰে শাঁতে কৰিলেও তাৰ ফল স্থায়ী হয়। অৱশ্যে সকলো কথাৰে ব্যতিক্ৰম থকাৰ দৰে এনে বিলাকৰো ব্যতিক্ৰম আছে। ভালকৈ ভাবি চালেই সকলোৱেই এই কথা বুজি পাব। লিখি বা আনদৰে এনে কথা বুজুৱা বৰ টান।

প্ৰবেশিকা পৰীক্ষা পাৰ হৈ ছাত্ৰ সকলে নিজৰ কৰ্ত্তব্য নিজে নিৰ্দ্ধাৰণ কৰিব পাৰে। নোৱাৰিলেও পৰা নিতান্ত উচিত। সেই দেখি আমি পাৰে বুলিয়েই ধৰি লৈছো। আমি যি কব খুজিছো, তেওঁবিলাকৰ বিষয় একো নকওঁ। যি সকল তাৰ তলত আছে, সৰহ ভাগৰে উত্তেজনা বেছি। স্কুল এৰিলেও উত্তেজনাৰ ওপৰত এৰি বিশেষ কাম একো কৰিব নোৱাৰে। নিজৰ মত বা লক্ষ্য স্থিৰ কৰি ৰখাব নোৱাৰে। এইদৰে উত্তেজনাত স্কুল এৰা ছাত্ৰৰ শতকৰা তিনিজনকো দেশৰ কামত পোৱা নাযায়, কোনো কোনো ছাত্ৰই গতাতে বাট মাত্ৰ লৈ স্কুল এৰি ঘৰত শুই বহি গাওঁ ফুৰি কটায়। প্ৰায়েই গৃহস্থৰ বোজাৰ বাহিৰে একো নহয়। ইহাতে স্কুলৰ ছাত্ৰৰ ভিতৰতো যি সকলে মনে চিতে নিজক দেশৰ কাৰ্য্যৰ উপযুক্ত হেন বুলি ভাবে, যি সকলে দেশৰ কাৰ্য্য নকৰি স্কুলত সোমাই থকা পাপ বুলি বিবেচনা কৰে, যাৰ লক্ষ্য স্থিৰ, সেই সকলক অভিভাবক বা শিক্ষকসকলে স্কুলত হেচা মাৰি বহুৱাই থলেও একো লাভ নহব। সেইদৰে থোৱাও সম্ভৱ নহয়। তেনে একান্ত কৰ্ম্মীৰ পৰা দেশ বঞ্চিত হোৱাও উচিত নহয়। ক্ষন্তেকৰ নিমিত্তে কুমলীয়া ছাত্ৰ উত্তেজিত হৈ বহি থকাৰ পৰা কাৰো একো লাভ নহয়। দেশৰ উপকাৰতকৈ অপকাৰ হে বেছি হয়। যি বিলাকৰ মনে চিতে পঢ়া এৰি এনে কামত জীৱন উছৰ্গা কৰিবলৈ ইচ্ছা থাকে তেওঁবিলাকক স্কুল এৰুৱাবলৈ বিশেষ চেষ্টা নকৰিলেও চলে। যি কিজনৰ উত্তেজনা বেছি তেওঁবিলাকে কোনো কাম ভালকৈ কৰিব নোৱাৰে। খেৰৰ জুইৰ দৰে অলপতে চেচা পৰি আকৌ আগেয়ে কৰা কাৰ্য্যৰ নিমিত্তে পৰিতাপ কৰি হা-হুমুনিয়াহ কাঢ়ে আৰু অনেক সময়ত অভিভাবকক ধন ভৰুৱাই মাৰে। এনে বিলাকে তেনে কাম কৰিবলৈ আনৰ লগ বিচাৰে। লগত বিশেষ ভাবে উত্তেজিত কৰি অনেকক নিবও পাৰে। কিন্তু শেষত অৱস্থা সকলোৰে একে হয়। আমাৰ মনেৰে, দেশত স্কুল কলেজত শিক্ষিত লোকৰ সংখ্যা অতি কম দেখিয়েই হে দেশৰ হকে কাম কৰা বা দেশৰ কথা বুজা মানুহৰ ইমান অভাৱ। অলপ দিনলৈকে যি সকলে পঢ়িশুনি উঠিছিল সেই সকলে দেশত যি বিলাক চৰ্কাৰী বিষয়াৰ আৱশ্যক সেই বিলাকৰ ঠাইহে কথমপি পূৰাব পাৰিছিল। কোনো কোনো বিষয়ৰ বিশেষজ্ঞৰ অভাৱ এতিয়াও গুচাই নাই। আগতে সকলো বিলাক বিষয়ৰ নিমিত্তে বিদেশী লোক আমদানি কৰিব লগা হৈছিল। সেই বিলাকৰ বহুত এতিয়াও আছে। বৰ্ত্তমানলৈ স্কুল কলেজৰ পৰা ওলাই অহা অনেকেই চাকৰিত নিৰাশ হোৱা নাই। যেতিয়াই দেশত বহুত পঢ়া শুনা মানুহ হব, তেতিয়াই অনেকে স্বাধীন ব্যৱসায় আদিলৈ মন কৰিব। শিক্ষিত হৈয়ো নিজৰ নিজৰ কৌলিক ব্যৱসায় আকোৱালি ধৰিব। ডাঙৰ ডাঙৰ

স্বাধীন ব্যৱসায় কৰা সকলোৱে নিজৰ তলত অনেক শিক্ষিত মানুহ ৰাখিব পাৰিব। তেনে বহুত মানুহ হলেহে দেশৰ চলিত আন্দোলনৰ নিচিনা আন্দোলনত যোগ দিব পাৰিব। ইয়াৰ পৰা ইয়াকো বুজা উচিত নহয়, যে যি সকলে বৰ্ত্তমান দেশৰ কামত লাগি সকলো ত্যাগ কৰিছে তেওঁবিলাকে চাকৰি আদি নেপাইহে তেনে কৰিছে। সেইদৰে বুজিলে বৰ ভুল হব। কাৰণ চাকৰিক তুচ্ছ জ্ঞান কৰি, নিজৰ ভোগ বিলাসৰ আকাঙ্ক্ষা এৰি অনেকেই দেশৰ কাৰ্য্যত ব্ৰতী হৈছে। ইহাতে স্বাৰ্থ সিদ্ধি হলে বা বেছি আশা দেখিলে পিঠি দিয়া প্ৰকৃতিৰ লোকো বহুত আছে। সকলোতেই দুই শ্ৰেণীৰ মানুহ আছে। চাকৰি কৰা সকলৰ ভিতৰতো কোনোৱে চাকৰিক পূজা কৰিছে আৰু কোনোৱে পেটে সৈতে ঘিণ কৰিছে, কিন্তু পেটৰ দায়ত,—পৰিয়ালৰ গধুৰ বোজাত মুকলিমুৰীয়া হব পৰা নাই।

সেইবোৰ যেই হক কোমল মনৰ ছাত্ৰক অলপ জনা শুনা কৰি যেই সেই কামলৈকে সাজু হবলৈ দিয়া বেয়া নহয়। মাটি অলপো সাৰুৱা নহলে গুটি বিফলে যায়; একেবাৰে নজনা নুশুনাৰ মাজতো ভাল কথা প্ৰচাৰ হলে একে অৱস্থা হয়। আখৰ এটা মাতিব নোৱাৰি, নিজৰ পটাখন পঢ়িব নোৱাৰি, চিঠি পত্ৰ এখন লিখিব পঢ়িব নোৱাৰি আধা বোবা আধা কণা হৈ থকা উচিত নহয়। বৰ্ত্তমান 'অসহযোগ আন্দোলন' কি, কিয় কৰা হৈছে, ইত্যাদি কথা বুজিবলৈ হলেও শিক্ষাৰ আৱশ্যক। অতি দুখৰ বিষয় এই আন্দোলনৰ, কোনো কোনো একো নজনা লোকে, ঠায়ে ঠায়ে পাঠশালা স্কুলৰ ছাত্ৰবিলাককো পঢ়োৱাত বাধা দিছিল। অৱশ্যে সেইটো অজ্ঞতাৰ দোষ। ভাৰতৰ ডাঙৰ ডাঙৰ অনেক নেতাই বৰ্ত্তমান শিক্ষাটোৰ উদ্দেশ্য জাতিটোক নিশকতীয়া কৰা বুলিয়েই কয়। কিন্তু এই উদ্দেশ্য সচাকৈয়ে কৰ্ত্তৃপক্ষৰ অন্তৰত থাকিলেও তাৰ সুফল ফলা নাই। বৰ্ত্তমান এই শিক্ষাতে প্ৰধানতঃ শিক্ষিত হৈ ভাৰতে স্বৰাজ লাগে বুলি জানিছে। কোনো কোনো ইংৰাজ লিখকেও ভাৰতক দিয়া ইংৰাজী শিক্ষাই তেওঁবিলাকৰ স্বাৰ্থত হাত লগাব বুলি কেতিয়াবাই কৈ থৈছে। কাৰ্য্যত সেয়ে ফলিয়াইছে। যি সকলৰ প্ৰতিভা নাই সেই সকলে কোনো শিক্ষাৰ পৰাই বিশেষ লাভ কৰিব নোৱাৰে। প্ৰতিভাবান লোকে ইংৰাজী শিক্ষাত বগাই হলেও নিজৰ নিজত্ব আয়ত্ত কৰিবলৈ অসুবিধা নেপায়। দেশত স্বৰাজ হক, নতুন ধৰণৰ স্কুল কলেজ প্ৰতিষ্ঠা হক, সেইবুলি কুমলীয়া ছাত্ৰ সকলে বা আন ছাত্ৰ সকলে দেশৰ কামো নকৰি এনেয়ে আশা পালি কাল কটোৱাতকৈ যি আছে তাকে লাভ কৰা একো বেয়া নহব। ইহাতে তেনে বিদ্যাপীঠ, বিশেষকৈ আমাৰ দেশত সমূলি হোৱা নাই। শিক্ষা একেবাৰে নোহোৱা দেশৰ বৰ দুৰ্দ্দিনৰ কথা। ঘৰত দিয়া তৰাৰ গাঁথি বেয়া বুলি ঘৰটো ভাঙি বেত কাটিবলৈ যোৱাতকৈ সেই ঘৰৰ ভিতৰত থাকিয়েই বেত কাটিবলৈ যোৱা বেছি লাভজনক। বেত আনি এটা দুটাকৈ গাঁথি সলনি কৰিলে ঘৰো নেভাগে কাৰ্য্যও সিদ্ধি হয়।

আজি কালি আমাৰ দেশৰ মানুহৰ ভাব সলনি হৈছে। ইংৰাজী শিক্ষা বেয়া হলেও ই এতিয়া বিশেষ বেয়া কৰিব নোৱাৰে। আজি বহুতে শিক্ষা কৰোতে চাকৰিলৈ আশা ৰখা নাই। শিক্ষিত হোৱাটোৱেই বহুতৰ প্ৰথম উদ্দেশ্য যেন হৈছে। অতবোৰ কোৱাৰ পাচত মুঠ কথা ইয়াকে কোৱা যাওক যে যাৰ একান্ত দেশৰ কাম কৰিবৰ ইচ্ছা আছে আৰু তাক বুজিছে তেওঁবিলাকে দেশৰ কাম কৰক। নুবুজাকৈ লোকক দেখি গৈ আকৌ ঘূৰি আহি আনলৈও আদৰ্শ নষ্ট কৰা কেতিয়াও যুক্তিসঙ্গত নহয়। স্কুলৰ ছাত্ৰ সকলে, (অৱশ্যে আমাৰ বোধেৰে) আগতে জানি ললে বেয়া নহয়। যি সকলে পঢ়াকে ভাল বুলি ভাবে সেই সকলে "আন ধৰণৰ স্কুল হক পঢ়িম" বুলি ঘৰত মিছাতে কাল কটোৱা উচিত নহয়। সময়ত এই শিক্ষাৰ পৰাই মনত ভবা আদৰ্শ বোলা শিক্ষাত বগাব পাৰিব। সিটোৰ আশাত ইটো এৰি কাল কটালে নিজৰ লগে লগে দেশৰো অৱস্থা ভয়ানক হব। ঘৰত জুই লগা দৰে দেশতো জুই লগাৰ নিচিনা হলে কোনো থিৰেৰে থাকিব নোৱাৰে, সকলোৰে লটি ঘটি হব। তেনে অবস্থাৰ কথা অৱশ্যে আমি ভবা নাই।

হেজাৰেই শিক্ষা হওক চৰিত্ৰ বেয়া হলে সকলো মিছা। 'চৰিত্ৰবান লোক নৰদেৱতা আৰু চৰিত্ৰহীন লোক নৰ-পিশাচ'। সজ চৰিত্ৰৰ মানুহ ফুলি অহা ফুল পাহিৰ দৰে নিৰ্ম্মল আৰু পবিত্ৰ। সৰু কালতে চৰিত্ৰ গঠন নকৰিলে ডাঙৰ হলে চৰিত্ৰ ভাল কৰা টান। এবাৰ বহি যোৱা চৰিত্ৰ সলোৱা সম্ভৱ নহয়। চৰিত্ৰবান লোকে সকলোকে আকৰ্ষণ কৰিব পাৰে। চৰিত্ৰহীন লোকৰ পৰা মানুহ আঁতৰত থাকে। বুৰঞ্জীৰ পাতত যেয়ে সজ কীৰ্ত্তিৰ চিন বহুৱাই থৈ গৈছে তেখেত সকল সকলোৱেই চৰিত্ৰবান। ঈশ্বৰ বিশ্বাস চৰিত্ৰবান লোকৰ এক প্ৰধান গুণ। সেই বুলি ঈশ্বৰক বিশ্বাস নকৰা সকলৰ ভিতৰতো চৰিত্ৰবান লোক নাই বুলি কব নোৱাৰি। ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে তৰ্ক বিতৰ্কৰ লাভ নাই। এই তৰ্কৰ অন্ত নাই। ঈশ্বৰৰ বিষয়ত বিজ্ঞানো অজ্ঞান। বিজ্ঞানে তৰপে তৰপে 'কাৰণ' উলিয়াই গৈও এঠাইত ৰবলগীয়া হয়। মুঠতে যাক ঈশ্বৰ লাগে, যি ঈশ্বৰ বিচাৰে তেওঁলৈ ঈশ্বৰ আছে, যাক নেলাগে তেওঁলৈ একো নাই। নিবিচাৰিলে ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰিব নোৱাৰে। এবাটি লুণীয়া পানী চেলেকি নেচায় মানে লোণ আছেনে নাই কব নোৱাৰে। অন্ধবিশ্বাস বুলি যদি কোনোবাই কয়ো, তথাপি ঈশ্বৰ বিশ্বাস ভাল। ভাবি লোৱা উচিত, এই পৰিদৃশ্যমান জগতৰ এজন কৰ্ত্তা আছে। তেওঁত বিশ্বাস ৰাখিলে সংসাৰত উটি বুৰি ফুৰা জলা কলা হোৱা মানুহে সুখ পায়। অতি পৰিশ্ৰম কৰি মানুহ এটাই 'ৰাম-কৃষ্ণ' বা 'আল্লা' আদি বুলি এটা স্বস্তিৰ সুখ অনুভৱ কৰে। বিপদত ধৈৰ্য্য ধৰিবলৈ তেওঁক স্মৰণ কৰে। ৰজাৰ আইনে ধুকি নোপোৱা, সমাজে ধৰিব নোৱাৰা দোষৰ পৰাও, ঈশ্বৰত বিশ্বাস কৰা লোক আঁতৰি থাকে। বিশ্বাস কৰিবলৈ ঈশ্বৰ নথকা হলে পৃথিবীত থকাই টান হল হেতেন, ঈশ্বৰত বিশ্বাস নথকা মানুহে বঠা নোহোৱাকৈ নাৱত উঠা মানুহে একে। ভগৱন্তত বিশ্বাস ৰখা মানুহ সুখী। তেনে মানুহৰ মন দৰাচলতে পবিত্ৰ। চৰিত্ৰবান ছাত্ৰই পিতৃ মাতৃক ভক্তি কৰে। পুত্ৰৰ মানত পিতৃমাতৃ জীৱন্ত দেৱতা। যাৰ যহত সংসাৰ দেখে তেনে পিতৃ মাতৃক ভক্তি নকৰা, তেওঁবিলাকৰ অবাধ্য হোৱা, তেওঁ-বিলাকক দুখ দিয়া অতি গৰ্হিত কাম, এনে কৰা লোকৰ কোনো কালে কল্যাণ নাই। কি কাৰণত কব নোৱাৰো আজি কালিৰ শিক্ষিত অশিক্ষিত বহুত ডেকাই, গাত পাখি লাগিলেই পিতৃমাতৃক আপদ যেন পায়। অশিক্ষিত মানুহৰ গাত এনে দোষ দেখিলে যি বেয়া লাগে, শিক্ষিত সকলৰ গাত তেনে দোষ দেখিলে তাতকৈ বহুত বেছি বেয়া লাগে। বাপেক মাকে নানা কষ্ট কৰি সন্তানক সৰুৰে পৰা তুলি তালি ডাঙৰ দীঘল কৰে তেনে পুতেকে মাক বাপেক নোৱাৰা হলেই পোহ পাল নিদি অৱজ্ঞা কৰা মহাপাপ। যি পুতেকে বাপেক মাকক এনে ব্যৱহাৰ কৰে সিও নিজৰ পুতেকৰ পৰা তেনে ব্যৱহাৰ পায়। ডাঙৰৰ পৰা সৰুলৈকে ইয়াৰ উদাহৰণ বুৰঞ্জীৰ পাতে পাতে পোৱা যায়। গুৰুভক্তি চৰিত্ৰৰ এক অঙ্গ। ঈশ্বৰে দি পঠোৱা বিলাকৰ উপৰিও যি চকু কাণৰ বিশিষ্ট জ্ঞান দি মানুহক সংসাৰত বাট দেখুৱাই দিয়ে তেনে গুৰুলৈ ভক্তি নেথাকিলে মানুহৰ কোনো কাৰ্য্য সিদ্ধি নহয়। ইয়াৰ উপৰিও, মানীক মান কৰা, মৰমৰ পাত্ৰক মৰম কৰা, সকলোৰে কৰ্ত্তব্য। ছাত্ৰ অৱস্থাৰ পৰাই এই সকলো বিলাক অভ্যাস কৰিব লাগে।

মৰমৰ বন্ধু সকল! এতিয়াৰ পৰা বিনয়ী হবলৈ আৰম্ভ কৰা। মিষ্টভাষী হোৱাৰ পৰাও ভবিষ্যত জীৱনত অনেক লাভ হয়। ভাতৰ তিতা সহিব পাৰিলেও মাতৰ তিতা সহিব নোৱাৰি। এনে তিতা মাতক সততে আঁতৰত ৰাখিবলৈ চেষ্টা কৰিব লাগে। খং আৰু অহংকাৰে মানুহক পশু তুল্য কৰে। সেই দেখি এই বিলাক সম্পূৰ্ণ বৰ্জ্জনীয়। খঙাল মানুহ সমাজৰ, পৰিয়ালৰ, আৰু দেশৰ আপদ। খঙে মানুহক সৰ্ব্বনাশ কৰে। খঙে স্বাস্থ্যহানি কৰায় আৰু ইয়াৰ বেগত মানুহে নকৰিব লগীয়া কাম কৰে। সাধাৰণতে খঙাল মানুহ নিশকতীয়া। এতিয়াৰ পৰা খং এৰিলে পাচত ইয়াক এৰিবই পৰা হব। যাক যি কৰিলে বেয়া পায় তাক তেনে নকৰাই মঙ্গল। নিৰীহ ধেমালি কৰা উচিত। কিন্তু নিজৰ যি ধেমালিয়ে লোকৰ অনিষ্ট কৰে তেনে ধেমালি কৰা গৰ্হিত। সাধাৰণতে অপৰিণামদৰ্শী ছাত্ৰই, বলিয়া মানুহক জোকোৱা,

দেখালিত প্রাণী বধ করা, লোকক ঠাট্টা মস্করা করা দেখা যায়। ই ধৰ বেয়া স্বভাব। দেখালিয়ে যাতে লোকক অনিষ্ট নকৰে তাৰৈ সদায় বিশেষ চকু ৰাখিব লাগে। মন প্রফুল্ল কথা আৱশ্যক। প্রফুল্ল মানুহে নিজৰহে নেলাগে লোকৰো বহুত দুখ বেজাৰ আঁতৰাব পাৰে। 'হাহি মানৰ মনৰ পোহৰ'। পোহৰ যেনে উপকাৰী সুন্দৰ বস্তু, হাহিও তেনে উপকাৰী সুন্দৰ বস্তু। প্রাণ খুলি হাহিব পৰাটো এটা ডাঙৰ সম্পদ। ছাত্ৰ সকলৰ সবহ ভাগেই প্রাণ খুলি হাহিব পাৰে, ই ছাত্ৰৰ একৰকম একচেটীয়া সম্পত্তি। যি দুজন এজনে অপৰা ভাবনাত পৰি এতিয়াই হাহি কেকৱাব তেওঁবিলাকৰ ভবিষ্যত সংসাৰ কলা ঢাকনিৰে ঢাক খোৱা। ছাত্ৰ অৱস্থাৰ প্রাণ খোলা হাহি আগলৈকে ৰাখিব পৰাই মঙ্গল। হাহি ভৰপুৰ স্বাস্থ্য চিনাকী, স্বাস্থ্যহীন জীৱন মৰণৰ তুল্য। অকল স্বাস্থ্য ৰক্ষা কৰিবলৈকে নহয়, সকলো কাৰ্য্যৰ ফল পাবলৈ ছাত্ৰৰ পক্ষে ব্রহ্মচর্য্য নিতান্ত আৱশ্যক। ইয়াৰ অভাৱতে আজিকালি অনেক ছাত্ৰৰ নৈতিক চৰিত্ৰত ঘুণে ধৰা দেখিবলৈ পোৱা গৈছে। ব্রহ্মচর্য্যৰ কথা বহলাই নকৰোও প্রায় সকলো উপযুক্ত ছাত্ৰই গম পায়, কিন্তু সবহ ভাগেই পালন নকৰে। ই ধৰ পবিত্ৰতাপৰ বিষয়। কোনো কোনোৱে মনত ইয়াক পালন কৰিবলৈ থিৰ কৰি, কিতাপ পত্ৰ আনিও পঢ়ে, কিন্তু পাতল মনক দমাৰ নোৱাৰি সকলো নষ্ট কৰে।

মোৰ অতি মৰমৰ ছাত্ৰ বন্ধু সকল! তোমালোকক অন্তৰেৰে সৈতে ভাল পাওঁ, সেই দেখি এটি মাত্ৰ কথা কব খোজো, আশা কৰো তাক তোমালোকে মন দি শুনি বুজিবলৈ চেষ্টা কৰিবা। ইয়াৰ পৰা সদৰেত ছাত্ৰ সকলৰ ভিতৰৰ এজনৰো উপকাৰ হলে আজিৰ সভা সাৰ্থক হল বুলি ভাবিব পৰা হব। মৰমৰ ছাত্ৰ সকল! নকৈ নোৱাৰো তোমালোকৰ অনেকে জানি শুনিও মৃত্যুক আলিঙ্গন কৰিছা। ক্ষণ্ডেকৰ পণ্ডত্ব সুখৰ নিমিত্তে, গোটেই ভবিষ্যত জীৱনটোলৈ পাহৰি পেলাই সর্ব্বনাশ কৰিছা। নকৰিব লগীয়া কাম কৰি তোমালোকৰ অনেকে গোটেই জীৱনৰ কেন্দ্রীভূত শক্তি নষ্ট কৰিছা। এই ক্ষণ্ডেকৰ সর্ব্বনাশীয়া অভ্যাস তুচ্ছ জ্ঞান কৰি এৰিব পাৰিলে পৰম স্বাস্থ্যৰ অধিকাৰী হৈ জীৱন অতিবাহিত কৰিব পাৰিবা, তাকে কৰিব নোৱাৰিলে তিল তিলকৈ জীৱন নষ্ট পাৰ। ভবিষ্যতে জীৱন এটা মহাভাৰত পৰিণত হব।

মানুহ বুলিলে সকলোৱেই সুখ শান্তি বিচাৰে, সংসাৰৰ সকলো আনন্দ উপভোগ কৰিবলৈ ইচ্ছা কৰে। স্বাস্থ্য নহলে আনন্দ বিহত পৰিণত হয়। স্বাস্থ্য ৰক্ষাৰ নিমিত্তে শৰীৰৰ শক্তি অটুট ৰাখিবলৈ ব্রহ্মচর্য্য পালন কৰিব লাগে। জোখমতে খাব লাগে। সকলোতে নিয়মীয়া হব লাগে। এলেহুৱা মানুহৰ স্বাস্থ্য অটুট নেথাকে। জীৱন কামৰ সমষ্টি। কামেই জীৱন। সকলোৰ পৰা কর্ম্মী হব লাগে। যিউৰ চকত হাত দি সংসাৰলৈ অহা সকলে, বিশেষ পৰিশ্রম হোৱা কাম একেবাৰে কৰিব নলগা হলে খেল আদি কৰি বা ব্যায়াম কৰি শৰীৰ চালনা কৰিব লাগে। ব্যৱহাৰ নকৰা মাংসে ধৰা লোৱৰ দৰে চালনা নকৰা শৰীৰো অকামিলা হয়। ঘকৰা কাম কৰা, কোৰ মৰা, কুঠাৰ মৰাও যথেষ্ট ব্যায়াম। এই বিলাক কাম কৰিবলৈ লাজ কৰা উচিত নহয়। পৰিশ্রমৰ অপমান নাই—আছে মর্য্যদা, এনে পৰিশ্রমৰ পৰা শাৰীৰিক উন্নতি হোৱাৰ লগে লগে আর্থিক লাভো হয়। সকলোৱে মনত ৰাখিব লাগে শাৰীৰিক উন্নতি অবিহনে মানসিক উন্নতি মিছা। লালুকৈ দৰে মুৰটো ডাঙৰ কৰি গাটো সৰু কৰাৰ কি লাভ?

প্রত্যেক দিনৰ প্রত্যেক কামতে তোমালোক নিয়মীয়া হৈ স্বাস্থ্যলৈ মন কৰিবা। স্বাস্থ্যৰক্ষাৰ নিয়ম বিলাক নিজ শিকা আৰু নজনা মানুহক শিকাই দিয়া, এই নিয়ম বিলাকৰ বিষয়ে তোমালোকে সদায় শুনি আছা। ইয়াত সেইবিলাকৰ আমি জনাটো উদ্বৃকিয়াবলৈ গলে তোমালোকৰ আমনিহে লাগিব। অতি শুদ্ধ সকলোতে বেৰ, বিদেশী ফুটবল আদি খেল আমাৰ দেশৰ নিমিত্তে এনেয়ে উপযোগী নহয়, তাতে আকৌ আমাৰ ছাত্ৰ সকলে জোখতকৈও বেছি খেলি থাকিবলৈ ভাল পায়। ইয়াৰ পৰা যথেষ্ট অনিষ্ট হয়। ছাত্ৰ জীৱনতে ইয়াৰ অন্তত নকৰিলেও ভবিষ্যত জীৱনত ইয়াৰ ফল ভুগিব লগীয়া হব।

তোমালোকে এতিয়া নিজে ধন উপার্জ্জন কৰা নাই। নিজে উপার্জ্জন কৰি ছাত্ৰ হৈ থকা বহুত কমেই হে আছে। তোমালোকৰ অভিভাৱক আদিয়ে তোমালোকৰ নিমিত্তে যাতে সস্তৱপৰ কম খৰছ কৰিলেই হয় তাৰ নিমিত্তে চেষ্টা কৰিবলৈ ধৰা। মিতব্যয়ী হোৱা মানুহৰ ডাঙৰ গুণ। ইয়াক এতিয়াৰ পৰা অভ্যাস কৰা অতি আৱশ্যক। ধোৱাগুলীয়া মানুহ পদে পদে বিপদত পৰে। ছাত্ৰ সকলৰ ভিতৰত বহুত বিলাসী, কোনো কোনো ছাত্ৰই স্কুলৰ মাছুলদি নোৱাৰিলেও আক তাক দেখি বিলাসৰ বস্তু কিনি লোৱা দেখা যায়। আৱশ্যকতকৈ বেছি বস্তু লোৱাকে বিলাসিতা বোলে। বিলাস ব্রহ্মচর্য্যৰ অন্তৰায়, ছাত্ৰ বিলাসী হলে পিতৃ মাতৃৰ তেজক পানী কৰি ঘটা ধন অবাবত ব্যয় হয়। এইদৰে ছাত্ৰই মাক বাপেকৰ বা অভিভাবকক কষ্ট দিয়া গঠিত। শিক্ষা উবাত বিলাসী নহবলৈ কোৱা মানে অধলা হবলৈ কোৱা নাই। অধলা হোৱা উচিত নহয়, যি শিক্ষা হয় তাকে চাফচিকণ আক গৰিপাটিকৈ পিন্ধিব লাগে। ছাত্ৰই ধপাত চুবট আদি খোৱা অতি কু-অভ্যাস আক এই বিলাক একোটা বিলাস। ছাত্ৰসহে নেলাগে আনবো এই বিলাক অনাহক খৰছ। যি বস্তুৰ পৰা বিশেষ উপকাৰ নাই, অপকাৰহে তেনে বস্তু ব্যবহাৰ নকৰাকৈ থাকিবলৈ ছাত্ৰ সকলে চেষ্টা কৰা উচিত। এজন পণ্ডিতে কৈছে, প্রায় ধপাত চুবট খোৱা লবাৰ চেহেৰা আৰু স্বভাৱ যেন চঞ্চল, আনৰ তেনে নহয়। ধপাত চুবটে স্বাস্থ্যহানি কৰে। দেখাতো এই বস্তু পিয়াৰ প্রীতিকৰ নহয়। ধপাত খোৱা মানুহৰ ওঠ কলা পৰি দৈহিক সৌন্দর্য্য নষ্ট কৰে, কেতবিলাকৰ গাত আক হাতত গোন্ধ মুওছেই। ছাত্ৰ সকলৰ পিন্ধা উৰা খোৱা লোৱা সকলো প্রকাৰৰ বিলাসেই বর্জ্জনীয়। বিলাসে অর্থ আক স্বাস্থ্য দুইকো নষ্ট কৰে। ছাত্ৰ সকলে মনত বখা উচিত, আমাৰ আদর্শ মহাদেৱ, কৌপীন পিন্ধা ঋষি মুনি সকল, আক বর্ত্তমান জগতৰ সকলোতকৈ জীৱিত মহাপুৰুষ মহাত্মা গান্ধি আক তেখেতৰ জ্ঞানী, মানী, গুনী শিষ্যবর্গ। বিলাসে একো কৰিব নোৱাৰে, লাগে মাথোঁ আত্মবল, আত্মসম্মানবোধ, সবলতা, ঈশ্বৰ বিশ্বাস, বিশ্বপ্রেম আদি। এইবিলাক সম্বলেৰেই আজি লেংটি মৰা ফকিৰ মহাত্মা গান্ধিয়ে পৃথিবীৰ শ্রেষ্ঠতম সাম্রাজ্যৰ শ্রেষ্ঠতম নগৰীত, ৰাজসম্মানতকৈও ডাঙৰ সম্মান লাভ কৰিছে।

দেশৰ আক দহৰ হৈ কাম কৰাও ছাত্ৰসকলৰ কর্ত্তব্য। ছাত্ৰ অৱস্থাৰ পৰাই এনে কামত হাত দিলেৰে ভবিষ্যত এই বিলাক কামলৈ স্পৃহা নোপোজে। স্কুলৰ ছাত্ৰ হৈ থাকিও দেশৰ কাম কৰিব নোৱাৰাৰ কোনো মানে নাই। দেশৰ হকে কৰিব পৰা দুই এটা কামৰ কথা আগেয়ে উদ্বৃকিয়াই থৈ অহা হৈছে। আজি কালি দেশৰ গঠন মূলক কাম বুলিলে যি বুজায় তাক ছাত্ৰই ছাত্ৰ হৈ থাকিও কৰিব পাৰে। দিনচেবেকৰ আথতে আমাৰ ছাত্ৰ সকলে হাতৰ পৰা সুতা কটা টাকুৰি নেবিছিলেই। কোনো কোনোৱে হাতে কটা সুতাবে চোলা বোৱাই লোৱাও দেখিছিলো। কিন্তু এতিয়া সেই বিলাক একেবাৰে পাহৰা যেন দেখা গৈছে। আনকি শই শই ছাত্ৰই মৃনত জাতীয় টুপি পিন্ধিবলৈকো পাচ মুহুৰ্ত্তকিছিল। তেওঁবিলাকক টুপি পিন্ধাক কোনেও বাধাও দিদিছিল। এতিয়া সেই-বিলাকৰ চিনচাৰ হুমাই গল। ক্ষণ্ডেকৰ উত্তেজনাত উত্তেজিত হোৱা ছাত্ৰ সকলৰে সাধাৰণৰ বিশ্বাস কমি যোৱা একো আচবিত নহয়। নিজে কটা সুতাৰ চোলা পিন্ধাৰ পৰা বাগৰি থাদৰৰ চোলা পিন্ধাত পৰিছিলগৈ। এতিয়া সিও কমি আন দেশী কাপোৰ বুলি অনেকে বিদেশী কাপোৰ ব্যৱহাৰ কৰিছে। দেশৰ আশা ভৰসাৰ স্থল ছাত্ৰ সকলৰ ইমান ফেৰাও লক্ষ্য থিৰ নেথাকিলে দেশৰ বাবে সকলো ত্যাগ কৰা লোকৰ কিম বেজাৰ নেলাগিব? এনেকুৱাত দেশৰ ত্যাগী লোক সকলৰ হে নেলাগে সাধাৰণবো ছাত্ৰসকলৰ ওপৰত বিতৃষ্ণা জন্মিব। সেই বোৰ দেখি শুনিহে কৈছো ক্ষণ্ডেকৰ নিমিত্তে উত্তেজিত হৈ পঢ়া শুনা এৰি ঘৰত বহিলে কি লাভ হব, দেশৰ উপকাৰতকৈ অপকাৰহে বেছি হব ছাত্ৰই চুবট নেখালে, বিদেশী কাপোৰ নিপিন্ধিলে, সুতা কাটিলে, গাৱত পৰনিন্দা পৰচর্চ্চাৰ সলনি বাইজৰ মাজৰ কুঅভ্যাস দূৰ কৰি আত্মনির্ভৰশীল হবলৈ কলে কোন কি কৰোতা আছে। মৰমৰ ছাত্ৰ সকল, তোমালোকেলৈ সকলোৱে মৰম আছে।

যি বিলাক কাম কৰিলে দেশৰ ডাঙৰ উপকাৰ হয়, যি বিলাক কাম তোমালোকে অনায়াসে কৰিব পৰা সেই কাম বিলাক নকৰাত হে তোমালোকৰ ওপৰত অনেকৰ বেজাৰ। আমাৰ, শিক্ষাই ভালকৈ ভুমুকি মাৰিব নোৱাৰা গাওঁ বিলাকত তোমালোকেই আদৰ্শ। তোমালোকৰ আদৰ্শকে সাধাৰণে নকল কৰিব। তোমালোকক ঘৰত সূতা কটা দেখিলে অনেকে সূতা কাটিব। তোমালোকে চুৰট ত্যাগ কৰা দেখিলে বহুত গাৱলীয়া লৰাই তাকে কৰিব, অন্ততঃ নতুনকৈ চুৰত খোৱা লৰা কম হব। গাৱৰ পঢ়াশুনা লৰা বিলাকে যেনে পোছাক পিন্ধে আন সকলোৱে তেনে পোছাক পিন্ধিবলৈ চেষ্টা কৰে। ছাত্ৰই যেনেকৈ চুলি কাটে সেইদৰেই সাধাৰণ শিক্ষা নোপোৱা ডেকায়ো চুলি কাটিবলৈ যত্ন কৰে। আমাৰ বৰ্ত্তমান ছাত্ৰ সকলেই গাৱৰ 'ফেচন' আমদানি কৰা দোকানি বুলিব পাৰি, সেই ছাত্ৰই ভাল আদৰ্শ আমদানি কৰিলেও গাৱলীয়াই গ্ৰহণ কৰিব— ছাত্ৰ সকলৰ ওপৰত এইটো এটা ভাল দায়িত্বই আছে। এই বিলাক কথা ভাবি চিন্তি ছাত্ৰ সকলক কবৰ মন যায়—ছাত্ৰ সকল, খেৰৰ জুই জলাদি নজলিবা, জলিলে তুঁহ জুইৰ দৰে হবা। ভাবি চাবা ক্ষন্তেকৰ উত্তেজনাত স্কুল এৰি আহি তোমালোকৰ উপকাৰ অপকাৰ হোৱাৰ কথা মই নকওঁ, কিন্তু যিটো উদ্দেশ্য লৈ তেনে কৰা সেই উদ্দেশ্যটোৰ মূল্যকে কমাই দিয়া হয়। দেশক উপকাৰ কৰাৰ নামত দেশক অপকাৰ কৰা হয়। কাৰণ এবাৰ ওলাই আহি সোমোৱা দেখিলে তোমালোকৰ অথিৰতাত সৰ্ব্বসাধাৰণো অথিৰ হব। তোমালোকক দেখি সকলোৰে উদ্যমত চেচা পানী পৰিব। একো নজনা মানুহে তোমালোককে দেখি যৰ মানুহ তলৈ গুছি যাব। নিজৰ বিবেকক সুধি যি কাম কৰে তেৱেঁই আচল জ্ঞানী। উত্তেজনাপূৰ্ণ কথা শুনিলেই যে উত্তেজিত হব লাগে তাৰ কোনো মানে নাই। চাব লাগিব সেই উত্তেজনাৰ মূল্য আছেনে নাই, আৰু সেই উত্তেজনা, লক্ষ্যত উপস্থিত নোহোৱামানলৈকে স্থায়ী হয়নে নহয়। [কোনোবাই "ভাবিবৰ সময় নাই ওলাই আহা" বুলিলেই ওলাই অহা আৰু কোনোবাই অলপ "বেয়া কৰিলা" বুলিলেই সোমাই যোৱাৰ পৰা একো লাভ নহয়। সকলোৰে লোকচান।

মৰমৰ বন্ধু সকল, বিশ্বাস বৰ ডাঙৰ বস্তু। বিশ্বাসী মানুহৰ লক্ষ্য স্থিৰ থাকে। এটা দায়িত্বৰ ভাৰ লৈ লোকক আশা দি আকৌ তাৰ বিপৰীতটো কৰিলে অবিশ্বাসী অপদাৰ্থ হব লগা হয়। ডাঙৰ ডাঙৰ দায়িত্বৰ কথাই নাই সময় মতে চলিব নোৱাৰিলেও মানুহ অবিশ্বাসী হব লগা হয়। এজনক এটা সময় দি মাতি, সেই সময়ত উপস্থিত নেথাকিলেও বিশ্বাস নাইকিয়া হৈ পৰে।

গাৱলীয়া ছাত্ৰ সকলে মনত ৰখা উচিত, গাৱত ওপজাৰ পৰাই তেওঁবিলাক নগৰীয়া সকলতকৈ কোনো গুণে নীহ নহয়। পৃথিবীৰ সৰহ ভাগ ডাঙৰ মানুহেই গাৱৰ মানুহ। ইহাতে গাওঁ কঠিয়াতলী। গাওঁ নহলে নগৰ কৰ পৰা হব। ছাত্ৰ সকলে ভালকৈ লাগিলে নগৰৰ বেয়া বিলাক বাদ দি গাৱতে ভাল বিলাক কৰি লব পাৰে। আমাৰ গাওঁ বিলাক সংগঠিত নোহোৱাৰ বা উন্নত নোহোৱাৰ প্ৰধান অন্তৰায় হৈছে শিক্ষিত লোকৰ অভাৱ। গাৱত যি উপযুক্ত মানুহ ওপজে তেনে মানুহেই সচলনিতে শিক্ষা লাভ কৰে। শিক্ষা পায়েই চাকৰী বা আন আৰ্থিক সূত্ৰত গাৱলৈ পিঠি দি নগৰত ঘৰ বাৰী কৰি থিতাপি হয়গৈ। আমাৰ দেশত এইটো বৰ বেয়া কথা হৈ পৰিছে। যি গাৱত শিক্ষিত মানুহে নিগাজিকৈ থাকিবলৈ লৈছে, যি গাৱৰ শিক্ষিত সকলে আন ঠাইত চাকৰি আদি কৰিও গাৱৰ ঘৰলৈ পাহৰা নাই সেই গাৱেই বেছি উন্নত।

আমাৰ অসমীয়া মানুহে যথেষ্টৰূপে সাৰুৱা মাটি পাই বিশেষ যত্ন নকৰাকৈ অতকাল সুখে সন্তোষে খাই আছিল। অলপমান পঢ়াশুনা কৰিয়েই গৱৰ্ণমেণ্টৰ ঘৰত বা বাগিচা আদিত কাম কাজ কৰিবলৈ পাই খাই-লৈ বিশেষ চিন্তা নকৰাকৈ খাই লৈ আছিল। এতিয়া দেশত মানুহৰ সংখ্যা বেছি হল। যি মাটি বাৰী আছে তাৰ দ্বাৰা পৰিয়াল বিলাক পোহ নোযোৱা হৈছে। আগৰ দৰে চাকৰি আদিও পাবলৈ নাইকিয়া হৈছে। এতিয়াহে দেশৰ অন্নচিন্তা আৰু অৰ্থচিন্তা ঘোৰ সমস্যা উপস্থিত হৈছে। এইদৰেই অসমীয়াৰ চাৰিওফালে 'সান্দহ খোৱা বালি তল গৈছে'।

মৰমৰ ছাত্ৰ সকল, তোমালোক আৰু দহ বাৰ বছৰৰ আগতে ওপজা হলেও ইমান বিলাক সমস্যাই তোমালোকক বেঢ়ি নধৰিলে হেতেন। এতিয়া টান দিন আহিল। এই টানেই জাতীয় বিকাশৰ সহায় হব। চাকৰি কৰিয়েই বা অকল মাটি দুডৰা, ঈশ্বৰৰ বিশেষ অনুগ্ৰহত কই খাই সন্তোষ লাভ কৰা মানুহে বিভিন্ন কাৰ্য্য কৰিবলৈ তৎপৰ হব। অসমীয়া মানুহৰ বেপাৰ বাণিজ্যত সমূলি ৰাপ নাই। পেটৰ দায়ত সেইবিলাক কৰিবলৈ আৰু শিকিবলৈ বাধ্য হব লগাত পৰিব। দেশত বিদেশী দোকানী পোহাৰী লাহে লাহে কম হৈ যাব। আমি দেখাতেই বহুত অসমীয়া মানুহক কেঞা বা আন বেপাৰীলৈ আছুতীয়াকৈ পেলাই থোৱা কাম বিলাকত ধৰা দেখিবলৈ পাইছো। দেশৰ শিল্পকলা যি আছিল সেইবোৰ মানুহে পাহৰি গৈছিল। অসমীয়া কহাৰ, কুমাৰ, সোণাৰি, কমাৰ, বাঢ়ৈ আদিয়ে নিজৰ ব্যৱসায় ঘিণ কৰি থাকিবৰ দিন নাইকিয়াত পৰিলহি। এই সকলো বিলাক কাৰ্য্য বৰ্ত্তমান বিজ্ঞান সন্মত উন্নত উপায়েৰে কৰি বিশেষ লাভবান হবলৈ হলে শিক্ষাৰ অতি আৱশ্যক। চাকৰিৰ আশা নাই বুলি শিক্ষা এৰি দিলে দেশৰ অৱস্থা বৰ বেয়া হব। আমাৰ অসমীয়া মানুহ সাধাৰণতে বিদেশলৈ নেযায়। পেটৰ দায়ত পৰি এতিয়া বিদেশলৈ ওলাই যাবলৈ অনেকে বাধ্য হৈছে। বিদেশত প্ৰতিষ্ঠিত হবলৈও শিক্ষাৰ নিতান্ত আৱশ্যক।

মৰমৰ ছাত্ৰ সকল, তোমালোক পুৱাতে আধা ফুলা ফুলৰ নিচিনা। তোমালোকৰ সৌৰভ বিলাবৰ সময় ক্ৰমান্বয়ে চাপি আহিছে। আমি সেই সৌৰভৰ আশাত জীৱন মৰণৰ দুখন নাৱত দুটা ভৰি দি বাট চাই আছো। তোমালোকক দেখিয়েই আমি সকলো পাহৰিছো। সংসাৰৰ সোঁতত জলা কলা হোৱা মানুহতকৈ তোমালোক অনেক গুণে পবিত্ৰ। সংসাৰে তোমালোকৰ অন্তৰক এতিয়াও সিমান কলুষিত কৰিব পৰা নাই। তোমালোকৰ অন্তৰে অন্তৰে পবিত্ৰ নাৰায়ণ মূৰ্ত্তিৰ আবিৰ্ভাৱ। সৰ্ব্বসাধাৰণতকৈ তোমালোকৰ হৃদয়ত প্ৰতিষ্ঠিত নাৰায়ণ বেছি সজাগ। তোমালোক দুৰ্ব্বল নোহোৱা। তোমালোক অক্ষম নোহোৱা। তোমালোকৰ অন্তৰ্নিহিত দেবনাৰায়ণক জগাই তোলা। তোমালোকৰ শক্তি সামৰ্থ্যত গোটেই জগত স্তম্ভিত হব।

ভাই সকল, তোমালোকক ভাল পাওঁ, অন্তৰেৰে সৈতে ভাল পাওঁ। তোমালোকৰ লগ এৰিবৰ মন নেযায় তোমালোকক ভাল পাওঁ বুলিয়েই পাৰিও তোমালোকৰ লগ এৰিব পৰা নাই। মালীয়ে যেনেকৈ ফুলৰ খৰাহি আগত লৈ ফুলৰ ৰেহ ৰূপ চাই আনন্দ লাভ কৰে, সেইদৰে আমিও তোমালোকৰ ৰেহ ৰূপ চাই আনন্দ লাভ কৰো। পাহ পাহকৈ ফুল হাতত লৈ মালীয়ে কেৰোণ গুচুৱা যেনে কৰ্ত্তব্য বুলি ভাবে, সেইদৰে তোমালোককো আলফুলকৈ লিৰিকি বিদাৰি থাকি কেৰোণ গুচাবলৈ চেষ্টা কৰো। হে ছাত্ৰ সকল, তোমালোকৰ সজ চৰিত্ৰ সজ আচৰণ দেখিলে মনত আনন্দ পাওঁ, তাৰ বিপৰীতে বেজাৰ দিয়ে। তোমালোকৰ ভাল কথা শুনিলে ভাল পাওঁ, বেয়া কথা শুনিলে মনলৈ ধিক্কাৰ আহে।

বন্ধুসকল, তোমালোক যশস্বী হোৱা, বিদ্যাৱন্ত হোৱা, সাহসী হোৱা, ধাৰ্ম্মিক হোৱা, তোমালোকৰ কাৰ্য্যৰ দ্বাৰা জন্মভূমি এখাপ ওপৰলৈ উঠক। মনত ৰাখিবা—জন্মভূমিৰ পালি পহৰীয়া সকলো তোমালোক, মহাপুৰুষৰ হৰিনামৰ ৰসেৰে প্লাবিত, মহাৰাজ নৰনাৰায়ণ, স্বৰ্গদেৱ ৰুদ্ৰসিংহ আদিৰ যশস্যামণ্ডিত, মহাবীৰ লাচিত, চিলাৰায়ৰ বীৰত্ব গৌৰৱেৰে গৌৰৱান্বিত, মহাসতী জয়মতীৰ বিন্দু বিন্দু পবিত্ৰ তেজেৰে ৰঞ্জিত, এই দেৱৰো বাঞ্ছিত আশা ভাৰসাৰ থল তোমালোক, সেই সকলৰ খোজে খোজে খোজ লোৱা তোমালোকৰ জয় অৱশ্যম্ভাবী।

তোমালোকে কবলৈ দিয়া চলতে ইমান খিনি কব লগাত পৰিলো। আমনি পালে ক্ষমা কৰিবা। এনে সন্মিলনত কেবা খাপৰো ছাত্ৰ আছে। সকলোৰে ভাগত অলপ অলপ পৰক বুলিয়েই সকৱে ডাঙৰে কথা গোটা চেৰেক কব খুজিছিলো। জুকিয়াব নজনাত হে বেছি হল। মৰমৰ ছাত্ৰ সকল, আমি ঔ বিচাৰি ফুৰা মানুহক মৌ দিবলৈ মাতি আনি যি উদাৰতা দেখুৱাইছা তাৰ নিমিত্তে তোমালোকৰ শলাগ লৈছো। ভদ্ৰমহোদয় সকল, ছাত্ৰ সকলৰ লগতে আপোনালোককো আমনি দিয়াত নিজ গুণে ক্ষমা কৰিব। মোৰ নিজৰ মনত খেলোৱা কথা কৈছো, তাত অনেক দোষ আছে, তাকো মৰিষণ কৰিব।

আত্ম-বিবৃতি

(ঘ)

—শ্ৰীচিত্ৰসেন যখৰীয়া

সম্পাদক ডাঙ্গৰীয়া !

বয়সৰ এটা গুণ বা দোষ থাকে। তাহানি 'মনোমতী'-লেখকে ডেকা কাল কেনেকৈ বৰ্ণাইছিল আপোনাৰ মনত থাকিব পায়, গাওঁলীয়া লৰাৰ ডেকা কাল গাওঁলীয়া হিচাপে বৰ্ণাইছে, আমাৰ 'জ্ঞানমালিনীৰ' কবিয়ে সেন্দূৰী আলিত ডেকাসকলৰ চলন ফুৰণ—

"প্ৰতি কথাতেই মাথো তোলে আনি প্ৰেম
এনে এটি ভুও নাই কাক বোলে প্ৰেম।" ইত্যাদি

কথাৰে বৰ্ণাই আমাৰ ডেকাসকলক যিপাত শৰ মাৰিছে, সভা-সমিতিলৈ চৰকাৰ বাহাদুৰৰ ইমান নজৰ নপৰা হলে তেওঁলোকে নিশ্চয় এটা ডেকা-সন্মিলন পাতি কবিৰ এনে নিন্দাসূচক বাক্য তুলি লবলৈ 'টানি' অনুৰোধ কৰিলেহেঁতেন, আৰু মোৰ নিজৰ ফালৰ পৰাও কওঁ এনে এটা সভাত যোগদান দিবলৈ পোৱা পৰম সৌভাগ্য বিবেচনা কৰিলো হেতেন। তদুপৰি এই সভাই যে জাতিধৰ্ম্মনিৰ্ব্বিশেষে ডঙ্গুৱা বা বৰলা সম্প্ৰদায়ৰ সহায় আৰু সহানুভূতিৰ পৰা বঞ্চিত নহল হেতেন ই আমাৰ ধ্ৰুব বিশ্বাস। এইবোৰ লৰাই যেতিয়া ডেকাকালৰ পাত সলাই সংসাৰীৰ ভূমিকাত কিছুদিন প্ৰবৰ্ত্তন কৰে তেতিয়া আগৰ চঞ্চল হাঁহিমাতৰ ঠাইত গাম্ভীৰ্য্যই বিৰাজ কৰে, লক্ষ্মীৰ বৰপুত্ৰ হলে মাতটো ঘেৰ-ঘেৰীয়া পৰে আৰু কুপুত্ৰ হলে মিউমিঞীয়া হয়। কিন্তু আৰু যেতিয়া বয়স হয়, তেতিয়া 'হদ' লৰে, বিশেষ দুৰ্ব্বল নহলে ইচ্ছা যায় কেৱল বক্তৃতা দিবলৈ। ভট্টাচাৰ্য্য উঠিলেই শ্ৰোতাসকলে কয় "এঃ উঠিল দে"। "ৰবাচোন, বোপাই, অধৈৰ্য্য নো হোৱা কিয় ? এই বুঢ়াৰ ভিতৰতো প্ৰাণ আছে।" ভট্টাচাৰ্য্য ডাঙৰীয়াই চকুৰে কয়, মুখেৰে কবলৈ সাহ নকৰে, কিন্তু শ্ৰোতাই ভাবে "এঃ বহুত বলকে।" এইটো ভট্টাচাৰ্য্যৰ দোষ নহয়, বয়সৰ। শ্ৰোতাসকলৰ আৰু এটা কথা, তেওঁলোকৰ মতে বক্তাৰ যদি টকা পইছা নাম থাকে তেতিয়া হলে তেওঁ দীঘলকৈ অপ্ৰাসঙ্গিক কথা কলেও কয়, "ওঃ কি Scholarship, কিমান বিষয় জানে!" আৰু অৱস্থা সুবিধা নহলে appreciationও তল খাপৰ হয়। ভট্টাচাৰ্য্যক দোষ দিওঁ কিয়, তেওঁৰ অৱস্থাই আজি মোৰ অৱস্থা। মোৰো কেৱল কথা কবৰ হে মন যায়, সিপিনে কোনোবাই শুনক বা নুশুনক। অলপ আবুৰত আছো বুলিয়ে লৰাইতে টিকি পাৰিব পৰা নাই, নহলে constitutionally ত'তকৈ অলপো ভাল নহয়। যি নহক, মই আপোনাক ইমানখিনি কৈফিয়ৎ দিয়াৰ উদ্দেশ্য এই যে মোৰ আত্ম-জীৱনী বা আত্মবিবৃতিৰ ভিতৰৰ কথাবোৰ এনেভাৱে সময়ত অপ্ৰাসঙ্গিক আৰু আগগুৰি নোহোৱা হৈ পৰিব খোজে যে মই নিজে লাজ পাওঁ, কিন্তু আত্মপ্ৰকাশৰ বাটত বাধা পৰে বুলি মই 'সোপায়াং নমঃ' কৰি মোৰ এই সাধু চেষ্টা আদ্‌বাটতে এৰিব নোখোজোঁ। যিসকল পাঠকে হঠাৎ নুবুজে তেখেতসকলে অধৈৰ্য্য হৈ গালিগালাজ যেন নকৰে, তেখেতসকলৰো একে অৱস্থাই আহিব, লক্ষ্মণে বিভীষণক মেঘনাদ বিয়োগৰ কাতৰ অৱস্থাত কোৱাৰ দৰে,—"দুদিনৰ অগা পিছা মাথোঁ"। আৰু যদি পাঠক সকলে মোৰ বৰ্ত্তমান বয়সলৈ জীয়াই থাকিবলৈ সাহ নকৰে, তেতিয়াও কওঁ,—মোৰ কথা চেৱে চেৱে মিলিব,—'history repeats itself' বৰং 'who says, philosophy does not ?'

যক সিবোৰ কথা। দেশৰ যি দুৰৱস্থা এতিয়া দেশখনত বাহিৰে একো ভাবিবৰে আহৰি নাই। আন কথা ভাবিলেও দেশৰ কথা কলে ভাল লাগে, এই bad taste বা 'বদ্‌ৰাগৰ' বাবেই মোৰ ৰায়বাহাদুৰী নহ'ল, যদিও

বহুতে কয় যে মোৰ নিচিনা strong অৰ্থাৎ ইণ্ডিপেণ্ডেণ্ট ইম্পিৰিট থকা মানুহক গবৰ্ণমেণ্টে পেটে পেটে ভয় কৰে আৰু কেতিয়াবা মনে মনে মোৰ ভাল লগাবলৈ ফটকৈ উপাধিটো দি পেলাব, কেৱে গমকে নাপাব। ছিঃ, মিছা। মই এই আশাতে কেইটা বছৰৰ নতুন দিনত আৰু সম্ৰাটৰ জন্মদিনত বাতৰি কাকতত 'অনাৰ্সলিষ্ট' বগৰাওঁ হে বগৰাওঁ,—জি, চি, ডি,ওৰ পৰা খাঁ চাহাব, চৰ্দ্দাৰ চাহাবলৈ,থাকিলে "টেকেলা, লিগিৰা" লিষ্টলৈ, কিন্তু ওঁহো, মোৰ নাম নাই। নাম সৰকি পৰা নহয়, মতলব ; গবৰ্ণমেণ্টৰ পলিছি। হওক, পলিছি কৰিও নোৱাৰিছে, আৰু খেলিছো গবৰ্ণমেণ্টক। গবৰ্ণমেণ্টে ভয় খাইছে কিয়, আমিতো নেখেদোঁ। যিসকলে ভাবে যে আমাৰ স্বৰাজ হলে এতিয়াৰ চৰকাৰী চাকৰিয়াল সকলক পোতাশালত দিম, তেখেত সকলে একো নাজানে। ভাল মানুহ থাকিলে আমিয়ে ৰাখিম। ভোঁ হিণ্ডেনবাৰ্গ নে ভন-হিণ্ডেনবাৰ্গক তেওঁৰ গৰাকী কেইজাৰক খেদিও তেওঁক ইমান বছৰ জাৰ্ম্মাণীয়ে ৰাজপাট নুখুৱাইছে নে ? আমিনো আকৌ কিবা খাই পাত ছিৰা হমনে, লাগিলে আইন কানুনৰ মুছাবিদা কৰিবলৈ তেতিয়াও লৰ্ড মেকলেক বা মৰিছ চাহাবক মতাই আনিবলৈ সদায় উৎসুক। অইন জাতিক সন্দেহ কৰিলেও অসমীয়া জাতি হিচাপে আমাক সন্দেহ কৰা অন্যায়, কাৰণ বৃটিছে জাল নমৰা সাগৰ কিয় হোলা বা খালো নাই, বুকত হাত দি তেওঁলোকে কওকচোন-আমাতকৈ ভোদা, সহজে পোহমনা মাছ নালাগে শামুক ক'তবাত পাইছেনে ? 'বোপা, আমাৰ নাযাবি'। 'নাযাওঁ দিয়ক' ('আপুনি নকলেও মোৰ লৰিবৰ ইচ্ছা নাই,' মনতে)। এনে সহজতে কথা শুনা জাতি আৰু ক'তবাত আছেনে ? আমাক একো নালাগে, .

"বাৰীৰে কচু-ঢেকীয়া, বাৰীৰে ওল।
বাৰীৰে পকাথেকেৰা, মাগুৰ মাছৰ জোল॥"

এই হলেই হয়। আমাৰ জীৱন যাপনৰ প্ৰণালী সৰল হোৱাত বাহিৰেও আনুগত্যৰ শপত নোলোৱাকৈও আমি যে সুন্দৰকৈ প্ৰভুভক্তিৰ উদাহৰণ দেখুৱাওঁ, মই লাখুটি পকা ভেটিত ঠুকুৰিয়াই কওঁ—"কোন দেশত ইয়াৰ আদৰ্শ উলিয়াব পাৰে ?" আইৰিশ জাতি ইমান সৰল হোৱা হলে ডি ভেলেৰালৈ কালিয়ে ম্যাকডোনাল্ডে তাঁৰ-"ভেজি" পঠালে হেঁতেন, "বোপাটিহঁত, নালাগে তোমা-লোকে শপত লব"। বেছি কথা নুনুকিয়াওঁ,—খিলঙত এটা প্ৰবাদ আছে, আৰু খিলং এইবোৰ সত্যাসত্য গুজবৰ বাবে ভাল ঠাই, কাৰণ তাত আলোচনাৰ বিষয় নিচেই কম,—যে এজন আমাৰ অসমীয়া মানুহ শাসনবিভাগৰ বৰ কেজনাৰ এজন হ'ল গৈ। জিলাই জিলাই .কাম কৰি দুখ ভাগৰ পোৱা ডিপুটি কমিচনাৰ সকলক একোটা সময়ত তাত নি খিলঙত বল ধৰাবলৈ ৰাখে, কিন্তু তেওঁ-লোকৰ তাত প'জিছন বৰ ভুঞা-ফুটা ৰকমৰ হৈ নাথাকে, হাজাৰ হলেও ফাইল আগত থকা চাহাববোৰ সেউ। চাহাবৰ তেজ দেখিবা এক্‌জিকিউটিভ কামত, পুতৌ দেখিবা ঘৈণীয়েকে সৈতে 'চফৰ' ফুৰিবলৈ গলে তেলবৰ গাওঁবুঢ়াই যেতিয়া আনাৰস দুটাৰে সৈতে কণীৰ টোমটো কাষত থৈ ভৰিত লুটি লব। যি নহ'ক,—তেনে এটা দাঁত ভগা অৱস্থাতে চাহাব এজনৰ লগত বৰমূৰীয়াজনৰ দেখা হয়। চাহাবজনে আগ ধৰি গুডমৰ্ণিং দি কলে—"Hallo so and so ! You are my Boss now." আমাৰ বৰজনাই হাঁহি কলে—"Even now you are my Sir, Sir." ইংৰাজী নজনা সকললৈ কওঁ,—চাহাবে কলে—"হেৰা অমুক, তুমি এতিয়া মোৰ মুনিব"। অমুক বিষয়াই কলে—"ভাল কৈছে দেও, তেনেও হব পাৰেনে, আপুনি আমাৰ যি মালিক, সেই মালিক"।—কথাষাৰ কৈছো হয়, মোৰ যথেষ্ট সন্দেহ আছে। কাৰণ ব্যক্তিগত-ভাৱে মই স্বায়ত্তশাসন বিভাগৰ উচ্চতম কৰ্ম্মচাৰীসকলক জানো, আৰু তেখেতসকলৰ যোগ্যতা আৰু কাম কৰাৰ প্ৰণালী যে অতি উচ্চদৰৰ মোৰ তাত অকণো সংশয় নাই। মই যেতিয়াই তেখেতসকলক লগ পাইছো, সদায় inspired ধৰণৰ কথাবতৰা হোৱা লগ পাইছো। শব্দটো inspired নে inspiring অলপ খোকোজা লাগে, দুয়োটা বুলিয়ে ধৰা ভাল। এনেবোৰ বিষয়াই যে "যথা নিযুক্তোঽস্মি তথা কৰোমি" বুলি মূৰৰ টুপী নোসোলোকায়, দৃঢ় বিশ্বাস। স্বাৰ্থলৈ অলপ দৃষ্টি সকলোৰে আছে, সকসুৰা

কথা কিছুমান এৰি দিলে, তেওঁলোকক সঁচাকৈয়ে খটা বুলি অনুমান হয়, আৰু এই শাসনভাৰ যে আমাৰ ভিতৰৰ মানুহে সুচাৰুৰূপে চলাব পাৰে তাত অকণো সন্দেহ নাই। যোৱা বেলি এজন শিক্ষামন্ত্ৰীৰ কাৰ্য্যৰ বিষয়ে সতিনী উপত্যকাৰ কাকতে পত্ৰই হোৰকোৰ কৰাত আমি লাজ পাইছো, যদিও আমি hold no brief for him তথাপি তাহানিৰ স্বৰাজ দলৰ সভ্য হিচাপে সভাপতিপদত উঠোতা-জনক এনে লাটিঘটি কৰা আমি ভাল পোৱা নাই। ছোৱালীস্কুলত তেখেতৰ প্ৰশ্ন আৰু পুৰস্কাৰ এনে গৰিহণা খোৱা বিধৰ একো নাছিল বুলি শুনো। ছোৱালী দেখিলে দুই-এটা ধেমেলীয়া কথা কবৰ আমাৰ বয়সতো মন যায়,আৰু বঁটা দিবলৈ হলে অলপ ৰং-ৰূপহৰ বা সাজ-পাৰৰ বস্তু নিদি ধানখেৰৰ জুমুধি দিয়ে নে? জন-মত এনে proportion নোহোৱা! মই বৰং কওঁ তেখেতক এই পদত স্থায়ী কৰা উচিত,—অকল তেখেত কিয়, স্বায়ত্তশাসন বিভাগত যিসকল কৰ্ম্মচাৰী বা উপৰিৱালা আছে সকলোৰে কাৰ্য্যকাল বঢ়াই দিয়া উচিত; কাৰণ পানীৰ নিচিনা ৰং নথকা অৰ্থাৎ non-Committal attitude ৰ এনেবোৰ বিষয়া একেলগে পোৱা টান হব। আমাৰ দেশখন ভালেই চলিছে, বজেটত ঘাটি পৰক, তাৰ বাবে একো ভাবিব নালাগে। দেহা আছে, লাখ আছে। ভাৰত গবৰ্ণমেণ্টৰ ইমান ধাৰ তাতে বুলি কিবা গবৰ্ণমেণ্ট টিকা নাই নে, আমাৰ ৰাজবিষয়াসকল শূইনত উৰা নাই? যাওক, খৰছ যাওক, বেপৰোৱা। ডুবিব লাগিলে সকলোৱে একেলগে ডুবিম। ক্ৰুগাৰ চাহাবে সিদিনাখন নিজৰ বুকত গুলী মাৰি মৰি গ'ল, জগতখনকে হেনো ধাৰত ডুবাই গ'ল,—এতিয়া ডিক্ৰিজাৰী কৰে ক'ত? তেওঁৰ ৰক্ষিতা কেজনীমানৰ নামত থকা হাজাৰ হাজাৰ টকাৰ চেক বোলে তুলাপাত-খনৰ দামতো নচলা হ'ল। দেহি ঐ, বেচেৰীহঁতৰ শুকুলা বুকৰ পোৰণিয়ে তেওঁৰ আত্মাক স্বৰগতো শান্তি নিদিয়ক! আমাৰ গবৰ্ণমেণ্টেও নহয় আমাক তেনেকৈ বাঁৰী কৰিব, এই হে ভয় হব পাৰে। দ্বিতীয় বিবাহৰ চলতি আছে যেতিয়া 'ধোকা-ধেমনা' ৰাখি কোনোমতে চলিব লাগিব তাতে বুলি আমাৰ খৰছ কম কৰিব নালাগে, বিশেষকৈ ৰাষ্ট্ৰীয় বিভাগ বিলাকত। মই খাঁ চাহাব চিৰাজুদ্দিন আহমদলৈ তাহানিয়ে লেখিলো, তেখেতে সুবিধাৰ অভাৱত প্ৰস্তাব তুলি ধৰিব পৰা নাই যে অসম কাউন্সিলত এই মৰ্ম্মে প্ৰস্তাৱ গৃহীত হওক; যথা:—স্কুল কলেজৰ সকলো বৃত্তি উঠাই দিয়া হওক, কলেজ আৰু দাতব্য চিকিৎসালয় বোৰলৈ দিয়া সাহায্য স্থগিত ৰখা হওক (সাহিত্য সভাৰ দান আৰু কেইটামান বেছি মূল্যৰ বৃত্তি ইতিমধ্যে স্থগিত ৰখাৰ কথা নিশ্চয় আপোনালোকে জানে) আৰু এইবোৰ বিষয়ত উদ্বৃত্ত হোৱা টকাৰে নংপোত উৰণীয়া জাহাজৰ আদ্দা খোলা হওক আৰু নিতৌ ত্ৰিশখনকৈ লড়ি ভৰাই গুৰ্খালি চিপাহীবোৰ শ্বিলং-পাণ্ডু-দাৰ্জ্জিলিংকৈ ঘুৰাই ফুৰা হওক। এই প্ৰস্তাৱৰ প্ৰথম অংশত কংগ্ৰেচী দলৰ যে সাহায্য পাব তাত অকণো সন্দেহ নাই, কাৰণ মহাত্মা গান্ধী ডেকাসকল স্কুল কলেজত পঢ়াৰ পক্ষপাতী নহয় আৰু বৰ্ত্তমান চিকিৎসাবিজ্ঞানৰ ওপৰত যে তেখেতৰ আস্থা নাই, এই কথা বুজালেই হব,—তদুপৰি গবৰ্ণমেণ্টক আৰু এটা দিহা দিওঁ,—প্ৰাদেশিক কাউন্সিলত থকা উকীল মোক্তাৰ সভ্যসকলক গবৰ্ণমেণ্ট-ব্ৰীফ দি হাইকোৰ্টলৈ মাহে-পষে পঠিয়াই থাকিব. এতিয়াৰ নিচিনাকৈ এজন বা দুজনকে নপঠিয়াই, পলাপলিকৈ, নহলে "ঘূৰ্ণি' মাৰি বা লটাৰি কৰি পঠিয়াব, তেতিয়া হলে সকলোৰে জেপত দুপইছা পৰিব, গবৰ্ণমেণ্টেও শুকান ডিঙ্গিৰ হুতা মাত শুনিব নালাগিব। বেল চাহাবৰ গবৰ্ণমেণ্টে নিশ্চয় পাহৰা নাই, যে প্ৰাদেশিক ৰাষ্ট্ৰীয় সন্মিলনৰ এসময়ৰ সভাপতিয়ে কেনেকৈ স্বায়ত্তশাসনৰ গধুৰ বোজা হেলাৰঙ্গে পৰিচালন কৰি গ'ল। ভাৰতে পাহৰা নাই, স্বৰ্গীয় লৰ্ড সিংহই কংগ্ৰেচৰ সভাপতিৰ মঞ্চ আৰু প্ৰাদেশিক শাসনকৰ্ত্তাৰ আসন দুয়ো ঠাইতে কেনে গৌৰৱ-ব্যঞ্জকভাৱে জীৱন কটাই গ'ল, অৱশ্যে মনৰ ভাবে দুয়ো ঠাইতে সমানে প্ৰকাশৰ বাট নাপাব পাৰে।

গবৰ্ণমেণ্টক উপদেশ দিয়া অৱশ্যে no part of my business, আৰু মোৰ জীৱন বুৰঞ্জীৰ একনিষ্ঠ পাঠক সকলেও ভাবিব পাৰে "ই তোমাৰ কি লীলা?"—

"শৃণ্বন্তু বিশ্বে অমৃতস্য পুত্ৰাঃ"—

বুলি তেখেতকসকলক কওঁ যে—লীলা বুজাত সদায় অলপ পলম হয়। মোৰ মতলব আছে। তাহানি এজনে ভাৰতীয়ক শাসন-বিভাগৰ উচ্চপদবী অৰ্থাৎ ইম্পিৰিয়েল পদত থাপনা কৰা সম্পৰ্কে বহুত কোৱা-মিলা, লিখাপঢ়া কৰিলে, যাক বোলে "পানী ঘোলা কৰি তুলিলে" তাৰ ফলত তেখেতে শান্তিৰ বিমল ছাঁত "আৰামসে" পাবলিক ছাৰ্ভিছ কমিছনৰ মেম্বাৰ হৈ ডাঙ্গৰ টকাৰ টোপোলা নিজলৈ লৈ দেশবাসীক উন্নতিৰ সোপানত উঠাত তলৰ ফালৰ পৰা ডাঙ্গি দিছে আৰু নিজে টোপনিত চকামকা সপোন দেখিছে, চকু মোহাৰি কৈছে—"What I am not up to!" এনেবোৰেই তো দেশৰ সুপুত্ৰ, সুলায়েক পুত্ৰ। ৰিফৰ্ম, তুমি পলম কৰা, মই এটা 'চাঞ্চ' লওঁ। আৰু নহয় দুবেলি বৈঠক পাতা মই এটা ঘোৰা-ঘুমটি মাৰি লওঁ। ইতিমধ্যে কেতিয়াবা বাতৰি কাকতত দেখিবা **Another Indian in the High Role of.....** খুকুৰিয়াই চাই পঢ়িবা—His Excellency the Govr.-General in Council has been pleased to appoint Mr. C. S. Jakaria..." ভাবিবা, "বেছ জোগাৰ কৰিলে তো!" বন্ধুজনৰ ওচৰত ঈৰ্ষাৰে কবা—"সেই মানুহজনৰ কি আছে ভাই, worthless.—নোৱাৰে পঢ়িব, নোৱাৰে লিখিব, নোৱাৰে শুদ্ধকৈ দুষাৰ ৰাইজত কব, আৰু political inheritence বা কি ঠন ঠন, তেওঁক দিলে Port-folio.....ডিপাৰ্টমেণ্টৰ। Hang it, hang the whole show!" আৰু কব নালাগে, শ্বিলঙলৈ গলে মোৰ তাতে উঠিবা অন্ততঃ আবেলি গলেও জলপান পাবা, কিন্তু অলপ ফাটফিটকৈ যাবা, নহলে আন আলহীসকলৰ আগত তোমাক চিনাজনা যেন দেখুৱাবলৈ টান পাম। ইমানতো যদি তোমাৰ political conscience শাঁত নপৰে, কওঁ শুনা,—"capacity থকা মানুহে অভিজ্ঞতা নাথাকিলেও ভাল কাম কৰে বৰং ডাঙ্গৰ বিষয়ত unprejudiced mind অনা হে ভাল। হেৰ-সিদিনা কৃষিবিভাগৰ কৰ্ম্মচাৰী মিঃ উডে তোমালোকৰ ভাৰতত লৰ্ড আৰৱিন খিতাপ লৈ গবৰ্ণৰজেনেৰেলৰ গদিত বহি সুশাসক বিজ্ঞ ৰাজনীতিবিদ হিচাপে মহাত্মাৰ লগত যিখন ফয়চলা কৰিলে, বৰ বৰ জনাই টেটু ফালিও দেখোঁ পৰা নাই। স্থিৰোভৱ,—তেতিয়াহে দেখিবা—মোৰ অসমাপ্ত জীৱনীয়ে কি জীৱন্ত আকাৰ ধাৰণ কৰে, আৰু যদি একোৱেই নহয়,—জানাই নহয়, মই ৰাইজৰ ফালৰ।

শিশুৰ আহাৰ

লিখক—ডাঃ শ্ৰীযুত সন্তোষকুমাৰ চক্ৰবৰ্ত্তী এম, বি

বাৰ বছৰ বয়সলৈকে শিশুৰ উপযোগী খাদ্য কি তাকে এই প্ৰৱন্ধত আলোচনা কৰিব খুজিছোঁ; কাৰণ ১২ বছৰৰ পিছত মানৱ-শৰীৰৰ কোনো কোনো বিশেষ অংশ বাঢ়িবলৈ ধৰে আৰু তেতিয়া দেহৰ নিয়মিত পুষ্টি সাধনৰ বাবে মানুহক বেলেগ খাদ্য লাগে। সেই কাৰণে বাৰ বছৰ বয়সলৈকে শিশুৰ আহাৰ নো কি হোৱা উচিত তাক ইয়াত দেখুওৱা হব।

শিশু মাতৃ-গৰ্ভত থাকোঁতেই তাৰ বৃদ্ধিৰ কাৰণে আৱশ্যকীয় পুষ্টিকৰ বস্তু যোগাব লাগে। এই সময়ত শিশুৰ বিভিন্ন অঙ্গ প্ৰত্যঙ্গ বিলাকৰ সাঁচ হবলৈ ধৰে। আমাৰ দেশত গৰ্ভৱতী তিৰোতাৰ আহাৰলৈ বিশেষে চকু দিয়া নহয়। আমি এই কথা জনা উচিত যে গৰ্ভৱতীয়ে গৰ্ভস্থিত সন্তানক নিজ শৰীৰৰ পৰাই আহাৰ যোগায় অৰ্থাৎ গৰ্ভৱতীৰ শৰীৰৰ তেজৰ পৰাই সন্তান পৰিপুষ্ট হয়।

নিতৌ প্রচুৰ পৰিমাণে পানী খোৱাটো গৰ্ভৱতী আৰু পোৱাঁতীৰ পক্ষে অতি লাগতিয়াল। কিয়নো, পানীয়ে শৰীৰস্থ সঞ্চিত হোৱা দূষিত আৰু বিষাক্ত পদাৰ্থ বিলাক পনীয়া (diluted) কৰি দিয়ে। পানীয়ে আকৌ সেই দূষিত পদাৰ্থ বিলাক শৌচ আৰু প্রস্রাৱৰ দ্বাৰেদি উলিয়াই দিয়াত সহায় কৰে। এই সময়ত পোৱাঁতীক যথেষ্ট পৰিমাণে কেলচিয়াম (Calcium) বা চূণসাৰ থকা আৰু ভাইটামিন (vitamine) থকা আহাৰ যোগাব লাগে। এঁৰা গাখীৰ, কেচাশাক, মাখন আৰু নতুন ফলত চূণসাৰ আৰু ভাইটামিন সৰহকৈ পোৱা যায়। সেইবাবে এইবিলাক এই সময়ত কাৰণে উপযোগী আহাৰ। শিশু ডাঙৰ হৈ অহাৰ লগে লগে তাৰ হাড় আৰু দাঁতো গঠিত হবলৈ ধৰে। শিশুৰ হাড় বিলাক শকত আৰু ডাঠ হবলৈ মাতৃৰ শৰীৰতপৰা আহৰণ কৰা খাদ্যত যথেষ্ট চূণসাৰ (calcium) থকা উচিত। পোৱাঁতীয়ে দালি আৰু কটা আদি খোৱা বস্তু গোটা শস্যৰ পৰা প্রস্তুত হোৱা খুওতা চোকোৱা ওচাই নেপেলোৱা মাহ, গমধান আদিকে গোটা শস্য (whole grain) বোলা হৈছে। শস্যৰ ঠিক ওপৰৰ ঢাকনি খনৰ তলতে বহুমূলীয়া ভাইটামিন আৰু আন আন পুষ্টিকৰ অংশ পোৱা যায়। ওপৰৰ ঢাকনি খনৰ লগতে খাদ্যৰ সেই মূল্যৱান অংশ বিলাক নষ্ট হব পাবে। এই সময়ত পোৱাঁতীক চাহ, কফি আদি সৰহকৈ খাবলৈ দিয়া অযুওত। তেতিয়া ফল যিমানে খোৱা যায় সিমানেই ভাল ; কিন্তু অধিক মছলা দিয়া খাদ্য বা পিঠা পনা আদি বৰ্জ্জনীয়।

পাঠক সকলৰ অৱগতিৰ কাৰণে—তলত এটা এই সময়ৰ খাদ্য-তালিকা দিয়া হল।

১। উপযোগী আহাৰ।

দিনে ওৰ পৰা ৮ গিলাচলৈ পানী।

কম পক্ষেও দু সেৰ এঁৰা গাখীৰ।

(ক) অম্লসাৰ বা প্রটীড প্রধান খাদ্য—মাংস (নিতৌ এবাবকৈ নাইবা সপ্তাহত ৩ বাৰকৈ খাব) পাৰ, কুকুৰা আদি চৰাইৰ মঙ্গহ, (কনি নিতৌ এবাবতকৈ অধিক নেখাব)।

(খ) কার্ব্বোহাইড্রেট প্রধান বস্তু—কটী (গোটা পৰশীয়া গম বা যন্ত্ৰৰ ময়দাবে প্রস্তুত)। চাউল (পৰশীয়া আৰু আৰৈ চাউলেই প্রশস্ত)

(গ) শাক পাচলি। শ্বেতসাৰযুক্ত বস্তু (starchy) আলু, শাক, গাজৰ, কেঁচা উৰহী, মটৰ মাহ, এস্পাৰে'গাছ (Asparagus,), লেটিচ, চেলাবি, ছালগম স্পিনেজ, (spinach), বিলাতী বেঙেনা, পিয়াজ, ৰঙা কবি, ফুলকবি, বীট বা বিলাতী পালেং, পটল, সুৱাচ (squash), ভিণ্ডা, তিতা কেৰেলা, চিচিঙ্গা ধুন্দুলি, ইত্যাদি।

ফলমূল—কেঁচা আৰু পকা সাময়িক ফল, যেনে :—আম, সুমথিবা, মাটি কঠাল, আঙ্গুৰ, আপেল' ইত্যাদি।

২। অনিষ্টকৰ—খাদ্য

ভজা বস্তু। ৰবা ভজা, আচাৰ, কাহুদি (picklas) গাহৰিৰ মঙ্গহ, নাৰিকল, বাদাম আদি তেলাল ফল, অতিৰিক্ত চেনি, বেচি মছলা দিয়া আঞ্জা, দিনে এসিগাত কৈ সৰহ চাহ।

এখনি অপ্রকাশিত অসমীয়া-কামৰূপী অভিধান

—প্রফেস্ৰৰ, এম্, আই ৰবা এম-এ, পি-এইচ-ডি

অগণ দিনৰ আগতে মই বিলাতত থাকোতে এখনি অসমীয়া অভিধান ইণ্ডিয়া অফিছৰ পুথি ভৰালত দেখিবলৈ পাইছিলোঁ। এই পুথিখনি ৰচিনাথ কামৰূপীৰ দ্বাৰা ১৮১০ খৃষ্টাব্দত ৰচিত হৈছিল। অভিধানখনিত পাতনি আদি নথকাৰ কাৰণে গ্রন্থকর্ত্তাৰ বিষয়ে বিশেষ জানিব পৰা নহ'ল। তেখেতৰ নামৰ পাছত কামৰূপী আখ্যা থকাৰ পৰা বুজা যায় যে তেখেত কামৰূপৰ মানুহ। এই প্রৱন্ধত অভিধানখনিৰ সাধাৰণ বিৱৰণ দিবলৈ আগ বাঢ়িলোঁ। ইয়াৰ সমালোচনা আদি পাছলৈ স্থগিত ৰখা হ'ল। অসম সাহিত্য সভাই এই পুথিৰ বিষয়ে অলপ চেষ্টা কৰিব পাবে আৰু সুবিধা যেন দেখিলে প্রকাশ কৰিবলৈ চেষ্টা কৰা উচিত। যদিও ইয়াত বিশেষ মূল্যবান কথা নাই তথাপি ই আমাৰ এটা পুৰণি সম্পত্তি আৰু অসমীয়া সাহিত্যৰ পুৰণি চিন।

অভিধানখনিৰ আকাৰ বেছি ডাঙৰ নহয়। মুঠতে ২৫২ পৃষ্ঠা। প্রত্যেক পিঠিৰ আকাৰ দীঘলে ১০॥ ইঞ্চি আৰু পথালিয়ে ৭॥ ইঞ্চি। প্রথম আৰু শেষৰ পিঠিত কিছুমান অসমীয়া আৰু বঙ্গালী শব্দৰ তালিকা আৰু ব্যাকৰণ ব্যাখ্যা আছে। যথা :—

বঙ্গালী	অসমীয়া	
আমি	মই	মই জাম।
তুমি	তুই	তুই জাবি।
সে	সি	সি জাব।
•	•	•
আমি খাইলাম		মই খালোঁ
তুমি খাইলে		তুই খালি
সে খাইলে		সি খালে
•	•	•

এক বচন	বহু বচন
ভনী	ভনী হঁত
ঘৰ	ঘৰবিলাক
পো	পো বিলাক
চোআলি	চোআলিবিলাক
	চোআলিহঁত

বিশেষকৈ চাব লগীয়া যে এই অভিধানখনিৰ শব্দৰ বানান বিলাক আমাৰ বৰ্ত্তমান অসমীয়া বানানৰ দৰে নহয়। শব্দবিলাক যেনেকৈ উচ্চাৰণ কৰা হয় থিক সেই দৰে বানানো কৰা হৈছে। য় আৰু ৰৱ সলনি আ, আৰু ৈ, ৌৰ পৰিবর্ত্তে ই ব্যৱহাৰ কৰা হৈছে।

শব্দবিলাক তিনি ভাগে ভাগ কৰা হৈছে। সংস্কৃত, অসমীয়া আৰু কামৰূপী। কিন্তু কামৰূপী শব্দকোষ অসম্পূর্ণ হৈ থাকিল। ৮২ পিঠিৰ পৰা বাকী ছোৱালি কেৱল সংস্কৃত আৰু অসমীয়া শব্দহে পোৱা যায়। সংস্কৃত আৰু অসমীয়া শব্দৰ অংশলৈ মন কৰিলে ইয়াক "অসমীয়া-কামৰূপী অভিধান" নুবুলি "সংস্কৃত-অসমীয়া অভিধান বা শব্দকোষ" বোলাতোহে ভাষসঙ্গত যেন দেখি। উদাহৰণ স্বৰূপে কেইটামান শব্দ তলত দিয়া হ'ল।—

সংস্কৃত	অসমীয়া	কামৰূপী
ঈশ্বৰ	গোঁসাঞি	গোহাঞি
স্রষ্টা	সৰ্জন কৰ্ত্তা	সৰ্জন কৰ্ত্তা
সর্ব্বশক্তিমান	এটাই সমর্থ	হকল সমর্থ
আকাশ	আকাহ	আকাহ
অমাবস্যা	আঁউসি	আঁউসি
ভূকম্প	ভূমিকম্প	ভূমিকঁপ
কদর্য্য	বোকা	পেঁক
নাৰী	তিৰতা	তিবি

বালক	গড়ুৱা	আপা	কন্যা	কনিআ	কনিআ
কুমাৰী	চোআলি	আপি	পুৰুষপুকুৰ	আথাও পিথাও	পুৰুষপুকুৰ
স্বামী	পই। গিবিহত	পই। স্বামী	অনাথ	চাট মাউৱা	চাট মাউৱা
স্ত্রী	ঘইনি	ঘইনি	জাৱজ	বীজথা	বীজথা
বৈবাহিক	বিআই	বিআই	তাম্রকুট	ধুঁঅ পোৱ	তামগু
সম বান্ধনী	বিআনি	বিআনি	আনাবস	কেতেই কঁঠাল	কেতেই কঁঠাল
বিবাহ	বিআ	বিআ	ঈর্ষ্যা কৰণং	হিঁহা কৰা	হিঁহা কৰা

মহিলা জগত





ভিন দেশৰ তিকতাৰ সাজ পাৰত ভিন ৰুচি

সম্পাদকীয়

অসমৰ বাজহ সমস্যা :—

দেশ জুৰি হোৱা ঘোৰ অর্থ সঙ্কটৰ লগে লগে খেতিয়ক শ্রেণীৰ অৱস্থা বৰ শোচনীয় হৈ আহিব ধৰিছে। বিশেষকৈ অসমীয়া খেতিয়কৰ দুৰৱস্থা দেখি বৰ দুখ লগা হৈছে। অসমীয়া খেতিয়কৰ খেতিৰ উৎপন্ন শস্যৰ মূল্যেৰে খাই বৈ বাজহ শোধাৰ থ'ক তেল লোণ কেৰা খাবলৈও এৰিব লগাত পৰিছে। চাৰিও ফালে হাহাকাৰ উঠিছে। ই এটা ভাবিব লগীয়া সমস্যা হৈছে। "অসমত বাজহ যে কি নিয়মে লগোৱা হয় তাক জানিবৰ উপায় নাই। দেখাত গোৱালপাড়া আৰু চিলেট জিলাৰ বাহিৰে অসমত ৰয়টাৰি (Royatwari) নিয়মকে পালন কৰা হয় যদিও আচলতে তেনে নাম একো নাই। আৰু সেই নিয়ম মতে উৎপন্নৰ ষষ্ঠাংশ বা দশমাংশ গৱর্ণমেণ্টে বাজহ নিয়ে। কিন্তু এই উৎপন্নৰ সঠিক খোঁজ বা নিৰিখ নিয়াত যথেষ্ট সন্দেহ আছে। কাৰণ গাঁৱলীয়া হোজা আৰু অশিক্ষিত কৰ্ম্মচাৰী সকলেই ইয়াৰ শুবিতে বুলি আমাৰ বিশ্বাস। তেওঁলোকে ভাজোতা আৰু পাতোতা। এনে বেমেজালি গোটেই ভাবততে। সেইবাবে বাজহৰ প্রকৃত নিয়ম পালন হোৱা নাই বুলি ধাৰণা। ই "Last Charge" নহয় First Charge বুলি ভাৰতীয় অর্থনীতিক সকলেও কয়। ইমান দিনে ইয়াৰ পৰিণাম খেতিয়ক সকলে বুজিব পৰা নাছিল—অর্থসঙ্কটেহে বুজাই দিলে। সেইবাবে চাৰিও ফালৰ পৰা গৱর্ণমেণ্টৰ ওচৰত আবেদন নিবেদন কৰিও তত পোৱা নাই। প্রজাসকলৰ ই একো অমূলক দাবি নহয়। কাৰণ বর্ত্তমান উৎপন্ন শস্যৰ দাম নিচেই কম অথচ লোণ, তেল, চিনি আদিৰ দাম টেঙৰ লগাই চবাইহে দিছে। তদুপৰি যোৱা চেটেল্‌মেণ্টৰ সময়ত বস্তু বেহানিৰ যি দাম আছিল তাতকৈ এতিয়া আধা কমি গৈছে অর্থাৎ তেতিয়া ধানৰ মোনে গঢ়ে ২৲ আছিল কিন্তু এতিয়া ১৲ টকাতকৈও কম। বাজহ বঢ়োৱা হৈছিল (enhanced) ২৲ টকা দাম ধৰি গতিকে সেই হিচাবে বর্ত্তমানে গৱর্ণমেণ্টে যেনে তেনে ভাবে বাজহ আদায় কৰাটো দুখীয়া প্রজাৰ পক্ষে মঙ্গল জনক হবনে? প্রজা সকলে বজাৰ আগত গোচৰ বা আবেদন নিবেদন কৰাৰ সার্থকতা আছে কাৰণ ১৯০২ চনত কৰা ভাৰত গৱর্ণমেণ্টৰ (Resolution) প্রস্তাবে তাক সমর্থন কৰে।

(11) The progressine and graduated imposition of large enhancement.

(12) Greater elasticity in the revenue collection facilitating its adjustment to the variations of the seasons and the circumstances of the people.

(13) A more general resort to the reduction of assessments in case of local deterioration where such reduction cannot be claimed under the term of settlement.

ইয়াৰ অর্থ সময় আৰু প্রজাৰ অবস্থা বুজি বাজহ লগোৱা বা লৰচৰ কৰাৰ প্রতিশ্রুতি আৰু স্থানীয় দুৰৱস্থাৰ কাৰণে আৱশ্যক হলে বাজহ কমাই দিবলৈ গৱর্ণমেণ্টৰ ইচ্ছা প্রকাশ।

গতিকে গৱর্ণমেণ্টৰ পক্ষে ই একো নতুন কথা নহয়। বৰ সুখৰ কথা সিদিনা অসম গৱর্ণমেণ্টে কামৰূপ জিলাৰ বাজহ শোধাৰোৱাৰ শেষ তাৰিখ ৩০ মেৰ পৰা ১৮ অক্টোবৰলৈ বঢ়াই দিছে। লগতে আৱশ্যক বুজি ঠাঁয়ে ঠাঁয়ে খাজনা মাফ দিলে প্রজা সকলৰ বৰ্ক্ষাৰ হেতু হব। আৰু আন আন জিলাতো সেই নীতি অৱলম্বন কৰিলে বজা-প্রজাৰ সুখৰ কথা হব।

স্বৰ্গীয় দেৱেন্দ্ৰনাথ বৰদলৈ

অসমত গান বাজনা বিষয়ত নতুন উৎসাহ আৰু নতুন বতাহ বৈছে। ইয়াৰ আগতে এটা ধাৰণা আছিল, যে অসমীয়া গান বাজনাত পিছ পৰা। সুখৰ বিষয়, যে আমাৰ সকলো লাগতিয়াল বিষয়লৈ এতিয়া আমাৰ চকু পৰিব ধৰিছে। গান বাজনাৰ বিষয়ে ইয়াৰ ভিতৰতে গোটেই অসমতে এটা উৎসাহৰ ভাৱ লক্ষ্য কৰা গৈছে। বিশেষকৈ আমাৰ উৎসাহী ডেকা কিছুমানে আগবাঢ়ি আহি দেশত ইয়ালৈ আগ্ৰহৰ ভাৱ এটা সিচৰতি কৰে দিছে। স্বৰ্গীয় দেৱেন্দ্ৰনাথ বৰদলৈ এই বিষয়ে আগৰনুৱা হৈ ওলাইছিল। তেওঁ অকল সুগায়কে নাছিল, বাজনা বিষয়তো নিপুণতা লাভ কৰিছিল। বেহেলা, তবলা, ক্লেৰিওনেট আদি সকলো ৰকমৰ বাদ্যযন্ত্ৰতে তেওঁৰ পাৰ্গতালি দেখা গৈছিল। তেওঁৰ মাত যেনে মিঠা আছিল ব্যৱহাৰতো তেনে আমিয় ভাৱ দেখা গৈছিল। তেওঁ স্বাধীন চিতীয়াও আছিল। টেকনিকেল কলেজৰ পঢ়া শেষ কৰি নিজে যোৰহাটত এটা মোটৰ কাৰখানা খুলিছিল



স্বৰ্গীয় দেবেন্দ্ৰনাথ বৰদলৈৰ মৃত দেহ আৰু কলিকতা প্ৰবাসী কেগৰাকীমান অসমীয়া

আৰু এটা ধানৰ কলো বহুৱাইছিল। মুঠতে অসমীয়া ডেকা যি হব লাগে তেওঁ তাকে হবলৈ বিচাৰিছিল। অসমৰ নাট্য সমাজত যি অভাৱ বিশেষকৈ চকুত পৰিছিল তেওঁ তাকে পূৰাবলৈ ওলাইছিল। অসমীয়াত ৰেকৰ্ড নাই বুলিলেই হয়। আনৰ কথাই নাই, নেপালী আদিৰো অসমীয়াতকৈ বেছি ৰেকৰ্ড আছে। স্বৰ্গীয় বৰদলৈ আমাৰ এই জাতীয় অভাৱ আঁতৰাবলৈ সঙ্কল্প কৰিছিল। এই সঙ্কল্পতে তেওঁৰ জীৱন আহুতি দিলে। তেওঁ কলিকতালৈ ৰেকৰ্ডত গান দিবলৈ গৈ কলেৰাত জীৱন এৰিলে। তেওঁৰ অভাৱত অসমৰ ক্ষতিৰ সীমা নাইকিয়া হ'ল। আজি তেওঁৰ জন্ম ঠাই যোৰহাটতে কেৱল নহয়, গোটেই অসমতে তেওঁৰ কাৰণে শোকৰ ভাৱ প্ৰকাশ পাইছে। আমিও তেওঁৰ শোকসন্তপ্ত পৰিয়াললৈ সহবেদনা জনালোঁ আৰু তেওঁৰ স্বৰ্গীয় আত্মাৰ সদ্গতি কামনা কৰিলোঁ। আৰু আশা কৰিলোঁ তেওঁৰ অসম্পূৰ্ণ আকাঙ্ক্ষাত অনুপ্ৰাণিত হৈ সঙ্গীতজ্ঞ অসমীয়া ডেকা সকলে অসমীয়া ৰেকৰ্ডৰ অভাৱ গুচাবলৈ আগবাঢ়িব।

শ্যাম দেশত প্ৰজাতন্ত্ৰৰ সূচনা

চাওঁতে চাওঁতে পৃথিবীৰ প্ৰজাতন্ত্ৰমূলক দেশৰ সংখ্যাত আৰু এখন যোগ হ'ল। এনেকৈ এদিন গোটেই পৃথিবীৰ পৰা এজনৰ শাসন উঠি যাবৰ সম্ভাৱনা দেখা গৈছে। সি যি নহক, সিদিনা শ্যাম দেশতো বিদ্ৰোহ কৰি বেঙ্ককৰ ৰাজপ্ৰসাদ অধিকাৰ কৰা হৈছিল। অৱশ্যে এই বিদ্ৰোহ অলপ অভিনৱ ধৰণৰ। ৰজা বেঙ্ককৰ বাহিৰত থকাৰ সময়ত ৰাজপ্ৰাসাদ অধিকাৰ কৰিবলৈ আহোতে প্ৰধান সেনাপতি জনে বাধা দিয়া বাবে তেওঁক গুলি কৰি মৰা হয়। এই বিদ্ৰোহত অকল সেইটোৱে হত্যা। তাৰ পিছত ৰজা আহি প্ৰজা সকলৰ বাঞ্ছিত প্ৰজাতন্ত্ৰ মানি লয়। শ্যাম দেশৰ ৰজা এগৰাকী আধুনিক শিক্ষা আৰু সভ্যতাৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত মানুহ। তেওঁ বোধ কৰোঁ জগতৰ সভ্যতাৰ গতিলৈ চাইয়ে প্ৰজাসকলৰ ইচ্ছাৰ বিৰুদ্ধে চলিবলৈ ভাল নাপালে। যি কি নহক জগতৰ স্বাধীনতা যজ্ঞত তেওঁ যি আহুতি দান কৰিলে তাৰ পুণ্যৰ বলত তেওঁ অমৰ হৈ থাকিব, সন্দেহ নাই।

ভাৰত সচিবৰ বক্তৃতাত মডাৰেট সকল আৰু 'টাইমচ', ডেইলি মেইল, মণিংপোষ্ট ষ্টেটচমেন আৰু মাঞ্চেষ্টাৰ গাৰ্ডিয়ান আদি কাকত—

যোৱা ২৭ জুন তাৰিখে ভাৰত সচিব স্যৰ স্যেমুয়েল হোৰে পাৰ্লামেণ্টত যি বক্তৃতা দিছিল তাৰ পৰা ভাৰতৰ শাসন প্ৰণালী এতিয়াৰ পৰা কেনেকৈ ৰচিত হব তাৰ আভাস ওলাই পৰিছে। এই নতুন পদ্ধতি অনুসাৰে ৰাউণ্ডটেবল কনফাৰেন্সৰ ভাৰতৰ তথাকথিত প্ৰতিনিধি—যি সকল গভৰ্ণমেণ্টৰে মনোনীত সদস্য আছিল—তেওঁলোকৰ লগতো পৰামৰ্শ কৰিবলৈ এৰি পাৰ্লামেণ্টৰ এটি কমিটিৰ দ্বাৰাই সকলো সমাধা কৰা হব। কেৱল গভৰ্ণমেণ্টে যাকে ইচ্ছা কৰে তেনে কেজনমান ভাৰতবাসীক মতামত প্ৰকাশ কৰিবলৈ দিব।

ভাৰতৰ মডাৰেট সকলে ভাৰত সচিবৰ তথা বৃটিছ গভৰ্ণমেণ্টৰ এই পৰিবৰ্ত্তিত নীতি দেখি তেওঁলোকৰ সহযোগিতা তুলি লবলৈ মন কৰিছে—এনেকি এতিয়ালৈ যি দেখা গৈছে তাতে তেওঁলোক তেনে কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হোৱা বুলি বুজা গৈছে। এই মডাৰেট সকলে ইমান দিনে দেশৰ জনসাধাৰণৰ মতামত উপেক্ষা কৰি গভৰ্ণমেণ্টৰ লগত সহযোগিতা কৰি আহিছিল। স্যাৰ তেজবাহাদুৰ আৰু মিঃ জয়াকৰে বৰলাটলৈ পৰামৰ্শ কমিটিৰ যি সদস্য পদত্যাগ-পত্ৰ দাখিল কৰিছে তাৰ পৰা তেওঁলোকে অসহযোগ কৰিবলৈ ওলোৱাৰ কাৰণ ভালকৈ বুজিবলৈ পৰা যায়। তেওঁলোকে দেখুৱাবলৈ বাকী ৰখা নাই যে ভাৰতৰ নতুন শাসনতন্ত্ৰ প্ৰৱৰ্ত্তনৰ কাজ লৰালৰিকৈ কৰিবলৈ ওলোৱাৰ বাবেই ভাৰত সচিবে ৰাউণ্ডটেৱলৰ নীতি এৰি এই নতুন প্ৰণালী ধৰা কথা ঠিক নহয়।

ভাৰতসচিবে ইয়াৰ পিছত নানা ছাতুৰি ভৰা কথাৰে মডাৰেট সকলক সান্ত্বনা দিবলৈ চেষ্টা কৰিলেও মডাৰেট সকল অচল অটল দেখা গৈছে। ইয়াতে বিলাতৰ 'টাইমচ' 'ডেইলি মেল', 'মণিং পোষ্ট', আৰু ভাৰতৰ ষ্টেটচমেন আদি কাকতৰ কোনোৱাই মডাৰেট সকলক উপলুৱা কৰি, কোনোৱাই কোনোৱাই নানা হিতযুক্তি দি বৃটিছ গভৰ্ণমেণ্টৰ এই পৰিবৰ্ত্তিত নীতিৰ সমৰ্থন কৰিবলৈ চেষ্টা কৰিলেও সুবুদ্ধি মডাৰেট সকলৰ কুবুদ্ধি দেখি চঞ্চল হৈ উঠিছে।

ৰঙানদীৰ মথাউৰি আৰু শ্ৰীশ্ৰীযুত গড়মূড়ীয় গোস্বামী ঃ—

গোস্বামী দেৱে যেতিয়া ৰঙানদীৰ মথাউৰি বন্ধা কামত যোগ দিছিল তেতিয়া সঁচাকৈ দেশত উৎসাহৰ সীমা নাইকিয়া হৈছিল। কিন্তু 'অসমীয়া' আৰু 'বাতৰি'ত প্ৰকাশ হোৱা গোসাই দেৱৰ বিবৃতি দেখি আমাৰ ৰাইজৰ ফালৰ পৰা গোসাই দেৱৰ কাৰ্য্যত সহানুভূতি দেখুৱাত ত্ৰুটী ঘটিছে যেন লাগিছে। জাতি গঠনৰ কাৰ্য্য নাইবা দেশৰ মঙ্গল অকল মৌখিক সহানুভূতিতে নিসিজে। তালৈ কাৰ্য্যকৰী সহানুভূতি, সহযোগিতা, ত্যাগ লাগে। জাতি বা দেশৰ মঙ্গলৰ মূল্য ইয়াতকৈ কম বা ইয়াৰ বাহিৰে আন একোয়ে হব নোৱাৰে। আমি আশা কৰিছোঁ শ্ৰীযুত গোস্বামী দেৱৰ আহ্বান অথলে নাযাব। অসমৰ সৌভাগ্যক্ৰমে তেনে এজন সত্ৰাধিকাৰ সমাজগুৰু দেশসেৱকৰূপে পোৱা গৈছে। আমাৰ আন আন সত্ৰাধিকাৰ গুৰু সকলেও দেশ সেৱাত নমা দেখিবলৈ আমি আশা কৰোঁ আৰু ভাল পাও। এই আশা কৰিবৰ দিন আহিবও পাৰে। আমি তাৰ বাট সুগম কৰিবলৈ, অন্ততঃ এই একনিষ্ঠ দেশ সেৱক জনক ক্ষুণ্ণ নকৰিবলৈ তেওঁৰ আহ্বানত সকলো ফালেদি যোগান ধৰা উচিত। আমাৰ কোনো এটা কথা বুজাত পলম লাগিব পাৰে, আৰু যি দেখা গৈছে, আমাৰ সেইটোৱে এটা, সুহ'ক, কুহ'ক অভ্যাস; কিন্তু এবাৰ মনে খালে, এবাৰ বুজিব পাৰিলে এই জাতিয়ে তাৰ বাবে দিব নোৱাৰে এনে একো নাই—প্ৰাণ পৰ্য্যন্ত তুচ্ছ জ্ঞান কৰে। সেয়ে এই জাতিৰ বিশেষত্ব। আমি আশা কৰিছোঁ গোস্বামী দেৱৰ নিৰুৎসাহৰ কাৰণ সোনকালে দূৰ হব।

সমালোচনা

দানামালাঃ—লিখক—শ্ৰীযুত সোণাপতি দেৱশৰ্ম্মা, বৰপেটা। ই এখনি সুন্দৰ চাৰিটি সৰু সৰু গল্পৰ পুঁথি। লেখকৰ গল্প চিৰিজৰ ইয়ে ১ম নিদৰ্শন। গল্প বোৰৰ বেছিৰভাগ লেখকৰ ছাত্ৰাৱস্থাতে লিখা; কিন্তু লেখা ধৰণ একেবাৰে অপৈনত হাতৰ বুলি কব নোৱাৰি। এটিৰ পিছত আনটি গল্প পঢ়িবলৈ মন যায়। লেখকৰ গল্প চিৰিজ উলিওৱা উদ্যম সময়োপযোগী হৈছে। কাৰণ বৰ্ত্তমান কৰ্ম্মক্লান্ত জগতত ছুটি গল্প শান্তি-সুধা। পাশ্চাত্য জগতত ছুটি গল্পৰ প্ৰভাৱ নাটক উপন্যাসতকৈ বহুত পৰিমাণে বেছি হব ধৰিছে। মোপাছাৰ গল্পবোৰে গোটেই জগতত এটা নতুন যুগৰ সৃষ্টি কৰিছে। শৰ্ম্মা ডাঙ্গৰীয়ায়ো তেওঁৰ গল্প চিৰিজেৰে অসমীয়া সাহিত্য সম্পদ বঢ়াব বুলি আশা কৰোঁ। ৫২৫৭/অ:

এই কিতাপৰ দনামালাই প্ৰথম গল্প। ইয়াত অকৃত্ৰিম প্ৰেমৰ পবিত্ৰতা ফুটাই তুলিবৰ চেষ্টা ফলৱতী হৈছে। শকুন্তলা আৰু দুষ্মন্তৰ চৰিত্ৰই লেখকৰ মনত প্ৰভাৱ বিস্তাৰ কৰা যেন লাগে। 'মিলন-মাধুৰী'ও ভালেই হৈছে। কিন্তু এই গল্পটোত অস্বাভাৱিকতাৰ ছাঁ পৰিছে। আন দুটি গল্পও ভালেই হৈছে। ভাষা সুৱলা। উলিৱাব খোজা গল্প বোৰৰ বিষয়-বস্তু আৰু চৰিত্ৰাঙ্কনত ইয়াতোকৈ ভালকৰি ৰহণ দিব বুলি আশা কৰা হ'ল।

অদ্ভুত চোৰ—লিখক শ্ৰীযুত সোণাপতি দেৱশৰ্ম্মা,—বৰপেটা

এইখন এটি সাধুকথাৰ পুথি। লেখকৰ এই লেখিয়া সাধু-কথা চিৰিজৰ (folktales series) প্ৰথম নিদৰ্শন। বাস্তৱিকতে এনে উদ্যম আমি নশলাগি নোৱাৰোঁ। শৰ্ম্মা ডাঙৰীয়াই 'শিয়াল পণ্ডিত' 'টেণ্টোন' ইত্যাদি দুটি এটিকৈ সাধুকথা কৈ যাম বুলি লোভ দেখুৱাইছে। পিছে নঠগাব যেন। আজি কালি সকলো দেশতেই এই সাধুকথাবোৰৰ (folktales) বৰ আদৰ; কাৰণ তাতো শিল্পৰ সৃষ্টি দেখা যায়।

কিতাপৰ ভাষা দেখি সহজে বুজা যায় যে তেখেতৰ লেখাত দক্ষতা আছে। তেখেতৰ 'হাকু-বিকু' 'মুখ আছি' আদি শব্দ প্ৰয়োগৰ দ্বাৰা ভাষা চহকী কৰাৰ প্ৰচেষ্টাত আমি সুখী হৈছোঁ। পাছে মাজে মাজে 'বোকা প্ৰস্তুত হ'ল' আদি আসোৱাহ জনক ভাষা আৰু 'লচ্‌পচ্‌ কৰি গোচা', 'অত একগছ ত'ত একগছ' বাক্যত 'গোচা' 'গছৰ' ব্যৱহাৰত হাকুবিকু লগাই দিয়াত হতাশ হব লগীয়াত পৰিছোঁ। আৰু এটি কথা—কিতাপখনৰ আকাৰ আৰু দামৰ বৰ মিল নাই যেন লাগে। ফিৰফিৰিয়া ১৮ পিঠিৰ পুথিখনিৰ বাবে দুচৰতীয়া বৰ বেচি যেন লাগে।

———

১৩নং বৃন্দাবন মল্লিক লেন কামৰূপ প্ৰেছত শ্ৰীঅপূৰ্ব্ব কুমাৰ ভূঞা দ্বাৰা মুদ্ৰিত, ডাঃ দীননাথ শৰ্ম্মা দ্বাৰা প্ৰকাশিত।

৫২৫৮/আ:
১০. ৬. ৯৯



সুখী জীৱন

Lakshmibilas Press Ltd., Calcutta

৫২৫৮/অ:



৩য় বছৰ
২০ম সংখ্যা

আৱাহন

শাওণ
১৮৫৪ শক

কামৰূপৰ প্ৰাচীন শাসনাৱলী

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্ৰীযুত সোণাৰাম চৌধুৰী

শালস্তম্ভৰ বংশ শ্ৰীত্যাগসিংহতে লোপ হোৱাত প্ৰজাবিলাকে নবকবংশীয় ব্ৰহ্মপালক প্ৰাগ্‌জ্যোতিষ বাজাৰ বৰা নিৰ্ব্বাচন কৰে। এই কথা বত্নপালৰ ফলিত (১০ম শ্লোক) স্পষ্টকৈ লিখা আছে। ব্ৰহ্মপালেই কামৰূপৰ পাল উপাধিধাৰী বজাসকলৰ প্ৰথম। তেওঁৰ বংশৰ বত্নপাল, ইন্দ্ৰপাল আৰু ধৰ্ম্মপাল তিনিওজনৰে ২খনকৈ ফলি ওলাইছে। তিনিওজন বজাৰ ফলিতে ব্ৰহ্মপালৰ উল্লেখ আছে। ধৰ্ম্মপালে তেওঁৰ পিতৃৰ গৌৰৱ দেখাবলৈ হৰ্ষপালক 'পালকুল-প্ৰদীপ' বুলি ফলিত লিখাইছে। নিজেও কম প্ৰতাপী বজা নাছিল। তেওঁ নিজৰ ফলিতে 'পালানন্দামুজৰবি' বুলি লিখাইছে। কেউখন ফলি গোটাই গি বংশলতা গঠিত, তাক তলত দিয়া হ'ল :—

আনুমানিক সময়	নাম	কোন কোন শাসনত উল্লেখ
১০ম শতাব্দী (শেষাৰ্দ্ধ)	ব্ৰহ্মপাল— (=কুলদেৱী)	ৰত্নপাল, ইন্দ্ৰপাল, ধৰ্ম্মপালৰ ১ম, ২য় ফলি
	ৰত্নপাল	ৰত্নপাল, ইন্দ্ৰ, ধৰ্ম্মপালৰ ১ম শাঃ
	পুৰন্দৰ পাল— (=দুৰ্ল্লভা)	ইন্দ্ৰ, ধৰ্ম্মপালৰ ১ম শাঃ
	ইন্দ্ৰপাল	" " "
	গোপাল—(=নয়না)	ধৰ্ম্মপালৰ ১ম, ২য় শাঃ
	হৰ্ষপাল—(=ৰত্না)	" "
	ধৰ্ম্মপাল	" "

কামৰূপৰ ৰজাসকলৰ নামৰ শেহত গৌড়ৰ ৰজাসকলৰ দৰে 'পাল' উপাধি থকাত সেই নামৰ সাদৃশ্য লক্ষ্য কৰি ভট্টাচাৰ্য্যে লিখিছে,—'সেই সময়ত কামৰূপৰ অধিপতি সকলে ওচৰৰ ৰাজ্যৰ 'প্ৰৱল পৰাক্ৰান্ত' গৌড়ৰাজসকলৰ অনুসৰণ কৰিয়েই সম্ভৱতঃ 'পাল' শব্দান্ত নাম গ্ৰহণ কৰিছিল।' ভট্টাচাৰ্য্যৰ মনত এই ভাবটো কিয় খেলালে কব নোৱাৰোঁ। ৰাজ্য পালন কৰে দেখি ৰজাসকলে নামৰ পাছত 'পাল' সংযুক্ত কৰি লোৱা সম্ভৱ। সেই পাল উপাধি যেই সেই দেশৰ ৰজাই লব পাৰে; ই কোনো দেশৰ একচেটিয়া উপাধি নহয়। কেৱল গৌড়ৰজাসকল প্ৰৱল পৰাক্ৰান্ত আছিল,—তেওঁলোকক অনুকৰণ কৰিয়ে কামৰূপৰ ৰজা সকলে পাল উপাধি ললে, এনে মনে নধৰে। কিজানি কামৰূপৰ ৰজাই প্ৰৱল প্ৰতাপৰ গুণে গৌড়লৈ অৱজ্ঞা দেখাবলৈকেই পাল উপাধি লৈছিল? ভট্টাচাৰ্য্যৰ এইবোৰ কথা কেৱল বঙ্গালীৰ ওচৰত ভালৰি বোলাবলৈ লিখা বুলিহে বোধ হয়। আমি তেখেতক সুধিব পাৰোঁ, পৰবৰ্ত্তী কালৰ বঙ্গৰপৰা দূৰৈত অসমৰ এমূৰত থকা চুতীয়া ৰজা সকলক পাল উপাধি লবলৈ কোনে শিকালে? সিও গৌড়ৰ অনুকৰণ নে? ভবিষ্যত সংস্কৰণত এনে অসাৰ কথাই যেন ঠাই নাপায়, তাকে বাঞ্ছা কৰোঁ।

ৰত্নপাল আৰু ইন্দ্ৰপালৰ তামৰ ফলিত তেওঁলোকৰ ৰাজধানীৰ নাম 'দুৰ্জ্জয়া' দেখা যায়। ভট্টাচাৰ্য্যে লিখিছে— "দুৰ্জ্জয়া যে ক'ত আছিল, নিশ্চয়কৈ কোৱা কঠিন। কিন্তু, এই কথা কব পাৰি যে, ই লৌহিত্যৰ (ব্ৰহ্মপুত্ৰৰ) তীৰত * সম্ভৱতঃ দক্ষিণকুলত আছিল, কিয়নো ৰত্নপাল আৰু ইন্দ্ৰপালৰ ফলিত তেওঁলোকে শাসনেৰে দান দিয়া মাটি উত্তৰকুলত আছিল বুলি উল্লেখ কৰিছে।" তেওঁ আৰু কৈছে,—"বোধ হয়, প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰৰ ঠাইতে এই দুৰ্জ্জয়াৰ সূচনা হৈছিল। শালস্তম্ভে খুব সম্ভৱ প্ৰাগ্‌জ্যোতিষপুৰ সম্পূৰ্ণ বা আংশিক ধ্বংস কৰি গৈছিল। যেতিয়া ব্ৰহ্মপাল ৰজা হ'ল, তেতিয়া বোধহয়, এই প্ৰাগ্‌জ্যোতিষপুৰৰ এক প্ৰকাৰ চিন-মোকাম নোহোৱাত পৰিছিল। সেইহে প্ৰজাৰ নিৰ্ব্বাচিত ব্ৰহ্মপালে প্ৰজাৰ মনোৰঞ্জন কৰিবৰ অৰ্থে হাৰূপেশ্বৰলৈ নগৈ নৰক-ভগদত্তৰ ৰাজধানীৰ ঠাইতে ৰাজধানী পাতিছিল। অথবা, হয়তো, শালস্তম্ভবংশীয় বিলাকৰ দ্বাৰা ই একেবাৰে ধ্বংস-প্ৰাপ্ত হৈছিল দেখি ইয়াৰ পুৰণি নাম প্ৰাগ্‌জ্যোতিষপুৰ ৰখা সঙ্গত যেন নেদেখি, প্ৰাচীন নামৰ পৰিবৰ্ত্তে ইয়াৰ নাম (সাৰ্থক বিশেষণবাচক) 'দুৰ্জ্জয়া' ৰাখিছিল।"

ভট্টাচাৰ্য্যৰ কথাত যে যুক্তি নাই এনে বুলিব নোৱাৰোঁ। কিন্তু শ্ৰীযুত নগেন্দ্ৰনাথ বসু প্ৰাচ্যবিদ্যামহাৰ্ণৱে তেখেতৰ কামৰূপৰ "ছোচিয়েল হিষ্টৰি"ত দুৰ্জ্জয়া বা দুৰ্জ্জয় নগৰ গুৱাহাটীৰ ওচৰতে কোনো ঠাইত আছিল বুলি লিখিছে, আমি তেখেতৰ অনুমান সমীচীন যেন দেখোঁ আৰু সেই কথাৰ অলপ প্ৰমাণো পাইছোঁ। গুৱাহাটীৰ আগৰ ফালে পূবে প্ৰায় ৪.৫ মাইল আঁতৰত ব্ৰহ্মপুত্ৰৰ পাৰত 'ৰাজাবাড়ী' নামে এটা পাহাৰ আছে। সেই পাহাৰত চাহৰ বাগিচা আছে। সেই পাহাৰতে কিছুমান প্ৰাচীন ধ্বংসাৱশেষৰ শিলৰ শিৰ কটা খুটা আৰু ছটীয়া শিল পৰি আছে। আমাৰ বিবেচনাৰে তাতে দুৰ্জ্জয়া নগৰ স্থাপিত হৈছিল।

* গেইটৰ বুৰঞ্জীতো 'দুৰ্জ্জয়া' ব্ৰহ্মপুত্ৰৰ পাৰত বুলি লিখা আছে, কিন্তু সেই লিখা ফলিৰ সাৰাংশমাত্ৰ; তেখেতে কোন খিনি ঠাইত দুৰ্জ্জয়া আছিল ঠিক ধৰি দিব পৰা নাই।

আজিলৈকে ইয়াৰ 'ৰাজাবাড়ী' নাম পৰি থকাত, ইও এক প্ৰকাৰে আমাৰ কথাৰ পোষকতা কৰে; তেনে নহলে এটা পাহাৰৰ নাম 'ৰাজাবাড়ী' হোৱা অসম্ভৱ। ৰত্নপালৰ ফলিৰ পৰাও দুৰ্জ্জয়া পৰ্ব্বতৰ ওপৰত বুলি আভাস পোৱা যায়। "কৈলাসশিখৰমিব পৰমেশ্বৰাধিষ্ঠানং বিত্তেশ নিসেবিতঞ্চ" অৰ্থাৎ (এই নগৰ) শিৱৰ অধিষ্ঠান কুবেৰ নিসেবিত কৈলাস শৃঙ্গৰ দৰে। এইবোৰ প্ৰমাণৰ পৰাই আমি নিঃসন্দেহে দুৰ্জ্জয়া ৰাজাবাড়ীতে পতা বুলি ধৰিব পাৰোঁ। এই পাহাৰখনৰ পূবে নিজৰাৰ দৰে এটা জান আছে। এই জান নগৰখন শত্ৰুৰ দুৰ্ভেদ্য কৰিবৰ নিমিত্তে খনোৱা 'পৰিখা' বা খাৱৈ হব পায়। ইয়াক আজি কালি বোন্দা জান বোলে। এই নাম ব্ৰহ্ম বা ব্ৰহ্মপালৰ নামৰ পৰাও হব পাৰে। সম্ভৱতঃ সেই জানৰ পৰাই বৰ্ত্তমান গুৱাহাটীৰ পূব সীমালৈকে দুৰ্জ্জয়া বিস্তৃত আছিল। এই খণ্ড ঠাইৰ প্ৰায় চাৰিওফালে পাহাৰেৰে আগুৰা। ফলিৰ কথাতে আউজি আকৌ কওঁ, এই পাহাৰবেষ্টিত আৰু শত্ৰুৰ অভেদ্য স্থান খনৰ সাৰ্থক নাম দুৰ্জ্জয়া ৰখা হৈছিল—সন্দেহ নাই। এই খণ্ড ঠাইৰ পাহাৰৰ মাজত আলি বা গড়ৰ চিনো আছে। ৰত্নপালৰ ফলিত এই নগৰ অভেদ্য প্ৰাকাৰবেষ্টিত বুলি বৰ্ণনা কৰা আছে। সেই ফলিত অতিৰঞ্জিতভাৱে লিখা আছে,—এই নগৰ শক, গুৰ্জ্জৰ, গৌড় আদি ৰজাৰো অভেদ্য দুৰ্গপ্ৰাচীৰেৰে বেষ্টিত। ডাঃ হৰ্ণ্‌লিয়ে উল্লেখ কৰিছে,—ৰত্নপালে সেই-বোৰ ৰজাৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিছিল অৰ্থাৎ দুৰ্জ্জয়া সেইবোৰ ৰজাৰ দ্বাৰা আক্ৰান্ত হৈছিল। ভট্টাচাৰ্য্যে লিখিছে, ফলিৰ পৰা সেইবোৰ দেশৰ ৰজাই দুৰ্জ্জয়া আক্ৰমণ কৰা বুজা নাযায় আৰু তেনে সম্ভৱো নাছিল. কিয়নো, ৰাজধানীখন ৰত্নপালে শাসনখন দিয়াৰ সময়ত অৰ্থাৎ তেওঁৰ ৰাজত্বৰ কি জানি ২৫ বছৰৰো অধিক দিন হোৱা নাছিল, ইয়াৰ ভিতৰতে দূৰ দূৰান্তৰ দেশৰ ৰজা আহি অকলৈ বা লগ হৈ ইয়াক আক্ৰমণ কৰিছিল। শাসনৰচোঁতাৰ ভাব সম্ভৱতঃ এই যে, সেইবিলাক পৰাক্ৰান্ত ৰজা আহি নগৰ আক্ৰমণ কৰিলেও বিফলমনোৰথ হৈ গ'লহেঁতেন,—ইয়াৰ প্ৰাকাৰ ইমান দুৰ্ভেদ্য আছিল! অৰ্থাৎ দুৰ্জ্জয়াৰ যথাৰ্থ সংজ্ঞা দৰ্শাবলৈকে এইবিলাক উক্তিৰ উদ্দেশ্য। ভট্টাচাৰ্য্যে ফলিৰ এই অংশৰ যি ভাঙ্গনী দিছে, সেইখিনি জটিল হলেও যুক্তিযুক্ত যেন লাগে। *

ব্ৰহ্মপাল এজন পৰাক্ৰমী ৰজা আছিল। তেওঁৰ মহিষীৰ নাম কুলদেৱী। এই কুলদেৱীৰ গৰ্ভত ৰত্নপাল জন্মে। ৰত্নপালৰ ফলিত উক্ত আছে যে, এই জন ৰজাই নিজ গুণেৰে ৰত্নৰ সদৃশ মহামান্য লোকসকলক পালন কৰিব বুলি প্ৰজাবিলাকে তেওঁক এই নামেৰে ভূষিত কৰিছিল। ইন্দ্ৰপালৰ ফলিৰ পৰা (১০ম শ্লোক) দেখা যায়, ৰত্নপালে পৃথিবীত বহুত শিৱমন্দিৰ সজায়, ব্ৰাহ্মণক ধন-সম্পত্তি দান কৰে, যজ্ঞ-স্থলি পাতি যজ্ঞ কৰে আৰু ঠায়ে ঠায়ে বিজয়স্তম্ভ তোলায়।

ৰত্নপালৰ পুত্ৰ পুৰন্দৰ পাল। এওঁ বৰ উদাৰ, দাতা, ভোক্তা, শুচি, কলাবিদ্যাত পাৰ্গত, শূৰ আৰু সুকবি আছিল (ইঃ শা ১১ শ্লো)। তেওঁ বৰ মৃগয়াপ্ৰিয়ও আছিল। ফলিত লিখা আছে, পুৰন্দৰে জামদগ্ন্যৰ বাহু-বলেৰে পৰাজিত 'প্ৰভূত' ৰাজ্যৰ নৃপতিবংশত জন্ম হোৱা দুৰ্ল্লভা নামে কন্যাক বিয়া কৰাইছিল। সেই ৰাজ্য ক'ত আছিল জানিবৰ উপায় নাই। ভট্টাচাৰ্য্যে পৰশুৰাম কুণ্ডৰ ফালে মিচিমি, খাম্‌তিহঁত থকা দেশত পূৰ্ব্বে কোনো ৰাজ্য থাকিব পাৰে বুলি অনুমান কৰে। তেখেতে আৰু অনুমান কৰে, ব্ৰহ্মপালৰ পূৰ্ব্বপুৰুষবিলাকে শালস্তম্ভৰ ভয়ত সেইফালে একলীয়া হৈ থাকিব পাৰে। তাৰে কোনো ৰাজ্যৰ ৰজাৰ জিয়াৰী দুৰ্ল্লভাক ৰত্নপালে পুৰন্দৰপাললৈ বিয়া কৰাই আনে। যি ৰাজ্যৰ ৰজাৰ লগত সম্বন্ধ হৈছিল, সেই ৰাজ্য কি জানি সাধাৰণ ৰকমৰে আছিল;

* ভট্টাচাৰ্য্যে আৰু দেখাইছে,—ৰত্নপালৰ সময়ত কামৰূপৰ ওপৰত কোনো আক্ৰমণৰ সংবাদ পোৱা নাযায়। কিন্তু তেওঁৰ পিছৰ ইন্দ্ৰপাল অথবা তেওঁৰ পুত্ৰ হৰ্ষপালৰ সময়ত বোধ হয় চালুক্য ৰাজকুমাৰ কৰ্ণাটেন্দু বিক্ৰমাঙ্কই তেওঁৰ পিতাকৰ ৰাজত্বৰ (১০৪০-৭০খৃঃ) ভিতৰত পূৰ্ব্বদিশ জয় কৰিবলৈ আহি কামৰূপ নৃপতিক পৰাস্ত কৰিছিল। (বিহ্লনৰ বিক্ৰমাঙ্ক চৰিত)। কিন্তু এই আক্ৰমণে কামৰূপৰ কোনো অঙ্গহানি কৰিছিল বুলি বোধ নহয়। ভট্টাচাৰ্য্যৰ 'বোধহয়' কথাৰ পৰা আমি কওঁ, কৰ্ণাটেন্দু বিক্ৰমাঙ্ক কামৰূপলৈ অহা নাছিল, আমাৰ বুৰঞ্জীতো তাৰ একো উল্লেখ নাই।

তাকে শাসনৰচয়িতা কৰিয়ে পাই তেওঁৰ লিখাত চমৎকাৰকৈ তুলিছে। তেনে হব পাৰে, কিন্তু ইয়াৰ সমাধান কৰা টান। আমাৰ বিবেচনাত পুৰন্দৰপালে কোনো ক্ষত্ৰিয় * ৰজাৰ কন্যা বিয়া কৰাইছিল।

পুৰন্দৰপাল সুকবি বুলি ওপৰত কোৱা হৈছে। প্ৰবাদ শুনা যায়, পুৰন্দৰপালে দেশীয় ভাষাত শুক্ৰনীতিৰ অনুবাদমূলক 'নীতিকুসুম' নামে এখনি গ্ৰন্থ ৰচনা কৰিছিল। ভট্টাচাৰ্য্য মহাশয়ে কয় যে, একাদশ শতাব্দীত অসমীয়া ভাষা আজিকালিৰ আকাৰে বৰ্ত্তমান আছিল নে নাই, আৰু এজন ৰাজপুত্ৰই প্ৰাকৃত (দেশীয়) ভাষাত লেখনী চলাবলৈ প্ৰয়াসী হৈছিল নে নাই, এইটো বিচাৰ্য্য। তেওঁ আৰু কয়,—এনেও হব পাৰে,—ইয়াক পুৰন্দৰপালে সংস্কৃত অথবা সেই সময়ৰ প্ৰচলিত দেশভাষাত ৰচনা কৰিছিল, পিছত তাক আধুনিক কোনো মানুহে বৰ্ত্তমান অসমীয়া ভাষালৈ ৰূপান্তৰ কৰিছে। আমি কওঁ, যদি বঙ্গালীৰ বঙ্গলা ভাষাত লিখা 'শূন্যপুৰাণ' ৯ম শতাব্দীৰে হব পাৰে, অসমীয়াৰ 'নীতিকুসুম' একাদশ শতাব্দীত অসমীয়াত লিখা একো টান নহয়। ভট্টাচাৰ্য্যে স্বাৰ্থ ৰাখি কথা কলে বেয়া লাগে।

পুৰন্দৰপাল ৰজা হোৱা নাছিল। তেওঁ যুৱৰাজ অৱস্থাতে স্বৰ্গী হয় (ধঃ ফ ১ম ৬ শ্লো)। তেওঁৰ মৃত্যুৰ পিছত ককাক ৰত্নপালে নিজৰ পৰিণত বয়সত তেওঁৰ নাতি (পুৰন্দৰ পালৰ পুত্ৰ) ইন্দ্ৰপালৰ গুণগৰিমা দেখি, তেওঁক সিংহাসন দান কৰে (ইঃ ফ)। ইন্দ্ৰপালৰ ৰাজত্ব কালতো ৰত্নপাল কিছু দিনলৈকে জীৱিত আছিল। ৰত্নপালৰ ৰাজত্ব ইংলণ্ডৰ তৃতীয় জৰ্জ্জৰ দৰে কিছু দীঘলীয়া আছিল। তেওঁৰ ২য় শাসনখন, তেওঁৰ ৰাজত্বৰ ৩৬শ অব্দত দিছিল। তাৰে পৰা ভট্টাচাৰ্য্যে ৰত্নপালৰ ৰাজত্ব ৪০ বছৰ বুলি অনুমান কৰিছে আৰু তেওঁ ১১শ শতাব্দীৰ আদিভাগত ৰাজত্ব কৰা বুলি তালিকাত দেখাইছে। এই অনুমান ডাঃ হৰ্ণ্‌লি চাহাবৰ ৰত্নপালৰ ফলিৰ আখৰ পৰীক্ষা কৰি কৰা অনুমানৰ ওপৰত। আমাৰ অনুমানে ৰত্নপালে ১০ম শতাব্দীৰ শেষ ভাগত আৰু ১১শ শতাব্দীৰ আদিভাগত ৰাজত্ব কৰিছিল। তাৰ পিছত সেই একাদশ শতাব্দীৰ আদিভাগৰ কোনো সময়ৰ পৰা ইন্দ্ৰপালৰ ৰাজত্ব আৰম্ভ হয়।

ইন্দ্ৰপাল পৃথুৰ দৰে ধৰ্ম্মিষ্ঠ, বিনয়ী আৰু পৰাক্ৰমী বুলি ফলিত লিখিছে। তেওঁ বত্ৰিশটা উপনামেৰে বিশেষিত হৈছিল (ইঃ পা ২য় ফলি)। তেওঁ দীৰ্ঘ কাল ৰাজত্ব কৰাৰ উক্তি আছে (ধৰ্ম্ম ফ ১।৭)। তেওঁ ইন্দ্ৰৰ দৰে বহু যজ্ঞ কৰি ক্ৰিয়াবান পুৰুষবিলাকৰ অগ্ৰগণ্য হৈছিল।

ইন্দ্ৰপালৰ পুত্ৰৰ নাম গোপাল। তেৱোঁ বৰ প্ৰভাৱশালী, নীতিপৰায়ণ, ধৰ্ম্মিষ্ঠ পুৰুষ আছিল (ধ ২য় শা—৪)। তেওঁৰ পত্নীৰ নাম নয়না দেৱী। সেই নয়না দেৱীৰ গৰ্ভত গোপালৰ ঔৰসে 'পালকুলপ্ৰদীপ' ত্ৰিভুবনখ্যাত শ্ৰীহৰ্ষদেৱে জন্মগ্ৰহণ কৰে (ধ ২য়।৫)। তেওঁ সাধু, সুপুৰুষ, বীৰৰ অগ্ৰণী আছিল। তেওঁ লক্ষ্মী-সৰস্বতীৰ বৰ পুত্ৰ বুলি খ্যাত। তেওঁৰ পত্নীৰ নাম ৰত্না। ৰত্না পাৰ্ব্বতীৰ দৰে সতী শিৰোমণি আছিল। (ধ ১ম)। তেওঁ উচ্চবংশত জাত বুলি ফলিয়ে কয়।

শ্ৰীহৰ্ষ আৰু ৰত্না—এই পুৰুষ-স্ত্ৰীযুগলৰ পৰা আমাৰ দেশৰ বিখ্যাত ধৰ্ম্মপাল দেৱৰ জন্ম হয়। ধৰ্ম্মপালে নিজৰ ফলিতে পালবংশকমলৰবি, কবিমণ্ডলচূড়ামণি, সকলকলাভিজ্ঞ, গুণৰত্নাকৰ ইত্যাদি নামে ভূষিত হৈছে।

এই ধৰ্ম্মপালৰ নাম প্ৰাচীন কামৰূপৰ পূব আৰু পশ্চিম খণ্ডত আৰু গৌড়ত প্ৰবাদৰ দৰে ইমান প্ৰচলিত যে, কোন ধৰ্ম্মপালে প্ৰবল প্ৰতাপেৰে কামৰূপ শাসন কৰিছিল, ইমান দিনে তাৰ একো ঠিক ধৰিব পৰা নগৈছিল। আমাৰ সৌভাগ্যৰ গুণে এই ৰজাৰ দুখন ফলি ওলাল। তাৰ পৰা এতিয়া বহুত কথা পোহৰলৈ আহিল। এই ফলি দুখনে ধৰ্ম্মপাল যে নৰক-ভগদত্তবংশীয় ব্ৰহ্মপালৰ ডালৰ কামৰূপৰে ৰজা তাক প্ৰমাণ কৰি দিলে।

ধৰ্ম্মপালৰ প্ৰথম ফলিত তেওঁৰ ৰাজধানীৰ নাম নাই। বোধহয়, তেতিয়া তেওঁৰ ৰাজধানী দুৰ্জ্জয়াতে আছিল, অথবা কোনো স্কন্ধাবাৰৰ (camp) পৰাও তেওঁ শাসন আদেশ কৰিছিল। ফলিত তেওঁৰ নামৰ তলত থকা শব্দ

* পৰশুৰামে জয় নকৰা দেশ নাই বুলিলেও হয়। তেওঁ পৃথিৱীক ২১ বাৰ নিক্ষত্ৰিয় কৰে। এতেকে এইবোৰ বিশেষণ এৰি আমি কোনো ক্ষত্ৰিয় ৰাজ্য বুলিও ধৰিব পাৰোঁ।—লেখক।

দুটিমান নষ্ট পাই যোৱাত এই কথাৰ একো নিৰ্ণয় কৰিব নোৱাৰি। কিন্তু দ্বিতীয়খনত তেওঁৰ ৰাজধানীৰ নাম 'কামৰূপ নগৰ' * স্পষ্ট উল্লেখ আছে। এই কামৰূপনগৰ কোন ঠাইত পতা হৈছিল, তাৰ কোনো বৰ্ণনা ফলিত নাই।

মহামতি গেইট চাহাবে তেখেতৰ বুৰঞ্জীত (১৭ পিঠি ২য় তা) লিখিছে—ধৰ্ম্মপাল নামে কোনো ক্ষত্ৰিয় পশ্চিমৰ পৰা আহি গুৱাহাটীৰ পশ্চিমে ৰাজধানী পাতিছিল। কিন্তু তেখেতে ইয়াৰ কোনো সময় নিৰ্দ্ধাৰণ কৰিব পৰা নাই। এই ৰজাক তেখেতে প্ৰাগ্‌ঐতিহাসিক পৌৰাণিক যুগত দেখাইছে। 'কামৰূপ অনুসন্ধান সমিতিৰ' পৰা প্ৰকাশিত কামৰূপ বুৰঞ্জীতো ধৰ্ম্মপাল নামে এজন ৰজাই বঙ্গদেশৰ পৰা আহি অশ্বক্ৰান্তৰ উত্তৰে গোদন্তত ৰাজধানী পতা বুলি কয়। ভাটিৰ ৰংপুৰৰ অন্তৰ্গত ডিমলা পুলিছ ষ্টেছনৰ কাষতো ধৰ্ম্মপালৰ নগৰ, গড় আদিৰ ভগ্নাৱশেষ থকা বুলি ডাঃ বুকানন হেমিল্টনে লিখি গৈছে। স্বৰ্গীয় ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱায়ো তেখেতৰ বুৰঞ্জীত (সম্ভৱতঃ ডাঃ বুকাননৰ কথাতে ভৰ দি) ধৰ্ম্মপালৰ ৰাজধানী ভাটিৰ ৰংপুৰৰ ফালেই বুলি লিখি গৈছে। কিন্তু ক'তো কোনেও ধৰ্ম্মপালৰ ৰাজধানীৰ নাম কি, উল্লেখ কৰা নাই। অৱশেষত শ্ৰীযুত নগেন্দ্ৰনাথ বসু প্ৰাচ্যবিদ্যামহাৰ্ণৱে ওপৰত উক্ত ধৰ্ম্মপালৰ ফলিৰ সম্ভেদ পাই ধৰ্ম্মপালৰ ৰাজধানী কামৰূপনগৰ বা কামৰূপপুৰ গুৱাহাটীৰ পশ্চিমে কোনো পৰ্ব্বতৰ মাজত বুলি তেখেতৰ Social History of Kamrup পুথিত লিখিছে। নগেন্দ্ৰ বাবুৰ কথা সমীচীন যে তাত সন্দেহ নাই। সম্প্ৰতি কামৰূপ নগৰৰ বিচাৰ কৰাৰ আগতে ওপৰত দিয়া কথাবিলাকৰ অলপ আলোচনা কৰোঁ।

ভট্টাচাৰ্য্যে গেইটৰ বিবৰণ কিংবদন্তীমূলক বুলি বিবেচনা কৰে, কিয়নো এওঁ উল্লেখ কৰা ধৰ্ম্মপালৰ 'পাল' উপাধি ধৰা কোনো উপৰি পুৰুষৰ নাম নাই। আমিও সেই কথা বিশ্বাস কৰোঁ। সম্ভৱতঃ গেইটে এতিয়াও ধৰ্ম্মপালৰ ফলিৰ সম্ভেদ পোৱা নাই।

কামৰূপ বুৰঞ্জীখনো আধুনিক কালৰ লিখা। তাৰো কোনো লাগ-বান্ধ নোহোৱা প্ৰবাদৰ দৰে কথা। কিন্তু প্ৰবাদৰ দৰে হলেও ই ধৰ্ম্মপালৰ ৰাজধানীৰ ঠাই একৰকম নিশ্চয়কৈ দিছে। আমাৰ অনুমান হয়,—ধৰ্ম্মপালে বঙ্গৰ ওচৰৰ তেওঁৰ ৰাজ্যৰ পশ্চিম সীমা চাই তাক নিৰ্দ্ধাৰণ কৰিবলৈ যাব পাৰে। তেওঁ তাৰ পৰা ফিৰি অহা দেখি তেওঁক 'বঙ্গদেশৰ পৰা আহি' ৰাজধানী পতা বুলিছে। আৰু এইটোও হব পাৰে, ধৰ্ম্মপালে দুৰ্জ্জয়াত ৰাজধানী থকাত অসুচল পাই অশ্বক্ৰান্তৰ কাষত ৰাজধানী পাতিছিল। আমাৰ অনুমানে ভাটিৰ ৰংপুৰ অঞ্চলত ধৰ্ম্মপাল বুলি যদি কোনো ৰজা আছিল, সেই ধৰ্ম্মপাল আমাৰ নৰক-ভগদত্তবংশীয় ধৰ্ম্মপালৰ সমসাময়িক নহয়,—সেই ধৰ্ম্মপাল কোনো পৰৱৰ্ত্তী সময়ৰ। সেই ধৰ্ম্মপাল কোনো ময়নামতীৰ পুত্ৰ গোপীচন্দ্ৰৰ দদায়েক নে মোমায়েক। ভট্টাচাৰ্য্যে লিখিছে,—সেই ধৰ্ম্মপাল, তেওঁতে আৰম্ভ, তেওঁতে শেষ। *

ইমানখিনি কথা ধৰ্ম্মপালক লৈয়ে গ'ল। এতিয়া ভট্টাচাৰ্য্যে কামৰূপনগৰ ক'ত থকা বুলি কয় তাৰে বিচাৰ কৰা যাওক। তেওঁ কয়, আগৰ নৰকবংশীয় ৰজাসকলৰ নগৰ লৌহিত্যৰ (ব্ৰহ্মপুত্ৰৰ) পাৰত আছিল, কিন্তু ধৰ্ম্মপালৰ

* আমি প্ৰাচ্যবিদ্যামহাৰ্ণৱৰ পুথিত 'কামৰূপপুৰ' পাইছিলোঁ। আমি সেই নামকে 'আৱাহন'ৰ (২য় বছৰ, ৫ম আৰু ১০ম সংখ্যা) 'ৰংমহল' আৰু 'উত্তৰ গুৱাহাটী' প্ৰবন্ধৰ ভিতৰত ব্যৱহাৰ কৰিছিলোঁ।

* ভট্টাচাৰ্য্যে আৰু লিখিছে, ময়নাৱতী বা ময়নামতী আৰু গোপীচন্দ্ৰৰ কাহিনী ত্ৰিপুৰা জিলাতো প্ৰচলিত আছে। তাত মানুহে কোনো পাহাৰত ময়নামতী থকা ঠাই আছিল বুলি কয়। সেই ঠাইত প্ৰচলিত ময়নামতীৰ গানত ধৰ্ম্মপালৰ নামেই নাই,—গোপীচন্দ্ৰকে 'ধৰ্ম্মৰাজ' বোলা হৈছে।

আকৌ 'ময়নামতীৰ গান' পুথি সঙ্কলয়িতা এজনে ধৰ্ম্মপালক গৌড়ৰ ৰজা মহীপালৰ আত্মীয় বুলি কয়। তেওঁ মহীপালৰ প্ৰতিনিধি স্বৰূপে দণ্ডভুক্তিত (অৰ্থাৎ বেহাৰত) আছিল। তেৱেঁ ৰংপুৰ খণ্ডত নগৰ পতা সম্ভৱ। ভট্টাচাৰ্য্যে দেখাইছে, ৰংপুৰত ডাঃ বুকানন চাহাবে ধৰ্ম্মপালৰ নগৰ বুলি যি ঠাই বৰ্ণনা কৰিছে, সি হৈছে কৰতোয়াৰ পূবে। এই কৰতোয়া চিৰকাল, মুছলমান আক্ৰমণৰ সময়তো কামৰূপ ৰাজ্যৰ পশ্চিম সীমা আছিল। গৌড়ৰ প্ৰতিনিধিয়ে কামৰূপৰ সীমাৰ ভিতৰলৈ আহি নগৰ স্থাপন কৰিছিল,—এনে কথা সম্ভাৱনীয় বুলি ভাবিব নোৱাৰি।

নগৰখন ব্ৰহ্মপুত্ৰৰ পৰা দূৰৈত আছিল। সেই নগৰ ব্ৰহ্মপুত্ৰ উপত্যকা এৰাই পশ্চিমত স্থাপিত হৈছিল। ৰঙ্গপুৰ জিলাৰ উত্তৰে কোচবিহাৰ ৰাজ্যৰ ভিতৰত 'কামতাৰ' যি ধ্বংসাৱশেষ আছে, তাতে কামৰূপনগৰ আছিল। তেখেতে আৰু কয়, কামৰূপ নামটো যে কেতিয়া কামতাত পৰিবৰ্ত্তিত হ'ল, ঠিককৈ কব নোৱাৰি। ধৰ্ম্মপালৰ ৰাজত্বৰ শতাব্দী কাল মধ্যত (বা পিছত) মুছলমান আক্ৰমণৰ প্ৰাৰম্ভ সময়ত ঘটিছিল বুলিয়ে বোধ হয়। কামৰূপ নগৰৰ অধিষ্ঠাত্ৰী দেৱী কামাখ্যাদেৱীৰ অপৰ নাম কামদা; এই কামদাৰ পৰাই কামতা হৈছে ইত্যাদি কথাৰো তেওঁ অৱতাৰণা কৰিছে। এনেকৈ তেওঁ গোটেই বৰ্ত্তমান কামৰূপখনকে নি কামতাত পাতিছে। গেইট চাহাবে সোণকোষৰ পৰা কৰতোয়ালৈকে এই খণ্ড ৰাজ্যক কামৰূপ নাম এৰি কামতা হোৱা উল্লেখ কৰিছে হয়, কিন্তু কামৰূপনগৰেই গৈ কামতাপুৰ হ'ল তাৰ একো উল্লেখ কৰা নাই। সোণকোষৰ পূবে আৰু পশ্চিমে বেলেগ বেলেগ ৰজাৰ অধীনত ৰাজ্য হোৱাৰ নিমিত্তে তেখেতে তেনে নামকৰণ হৈছিল বুলি কয়। সেই কামতাৰে কামতাপুৰ ৰাজধানী নীলধ্বজ ৰজাৰ দিনৰ পৰাহে হয়। তাৰ আগে (অৰ্থাৎ ১৩শ শতাব্দীৰ পূৰ্ব্বে) কামৰূপনগৰ বুলি কোনো ৰাজধানীৰ কথা তেখেতে নকয়। আমিও কামৰূপৰ পৰা কামতা আৰু কামৰূপনগৰৰ পৰা কামতাপুৰ হোৱা বুলি বিশ্বাস কৰিব নোৱাৰোঁ। আমি পূৰ্ব্বেই প্ৰমাণ পাইছোঁ কামৰূপনগৰ বা কামৰূপপুৰ * গুৱাহাটীৰ পশ্চিমে অশ্বক্ৰান্তৰ উত্তৰে, ব্ৰহ্মপুত্ৰৰ পৰা অলপ ভিতৰলৈ সোমোৱা। এই নগৰ অশ্বক্ৰান্ত পাহাৰৰ ভিতৰ দাঁতিৰ পৰা পশ্চিমে আমিনগাৱঁৰ ফাললৈ আগ বাঢ়ি, উত্তৰ-পশ্চিমে চিলাপৰ্ব্বত সীমা কৰি, উত্তৰে প্ৰাচীন ৰংমহলৰ ৰুদ্ৰেশ্বৰ খণ্ড আৰু পূবে উত্তৰ গুৱাহাটীৰ ভাটি অংশ জুৰি গঠিত হৈছিল বুলি অনুমান কৰিব পাৰি।

এই ঠাই খনত এতিয়াও বহুত পুখ্ৰী, গড়, শিলামূৰ্ত্তি আছে। মাটিৰ তলত কোনো কোনো ঠাইত ধন, সোণ, আঠধতুৱা মূৰ্ত্তি পোৱা দেখা গৈছে। অলপতে, কীৰিটিৰ দৰে সিংহাসন বা আন কোনো আসনৰ ভগা আঠধতুৱা এখণ্ড ওলাইছে; তাৰ লগত দণ্ডৰ বা সিংহাসনৰ টোপৰ বা চূলাৰ দৰে দুখণ্ড পোৱা গৈছে। এই ঠাইখন খনালে ক'ত কিমান প্ৰাচীন বস্তু ওলায়, তাৰ ঠিকনা নাই। ভবিষ্যতে সেই ঠাই খনত কোনো প্ৰাচীন ফলি ওলায়ো, আমাৰ বিবাদীয় কথাৰ মীমাংসা কৰিব পাৰে। *

ভট্টাচাৰ্য্যে ধৰ্ম্মপালৰ পিছত জয়পাল, বৈদ্যদেৱ আদি ৰজাই ৰাজত্ব কৰা দেখুৱাইছে। জয়পালৰ নাম 'শিলিম পুৰ'ৰ শিলালিপিত আছে। ভট্টাচাৰ্য্যে জয়পাল আৰু বৈদ্যদেৱৰ ফলিৰ কোনো চিত্ৰ তেখেতৰ কিতাপত নিদিয়াত আমি তেওঁলোকৰ সম্বন্ধে কোনো কথা কবলৈ আগ নাবাঢ়িলোঁ।

ভট্টাচাৰ্য্যে তেখেতৰ দীঘল ভূমিকাৰ শেষত ১১২৭ শকৰ (১২০৫-৬ খৃঃ) কানাই বড়শীৰ যৱন জয় কৰা শিলালিপিৰ চিত্ৰ দি তাৰ সম্বন্ধে দুষাৰ মান কথা কৈ সামৰণি মাৰিছে। সেই খিনি কথাৰ ভাঙ্গনী এই—"১২০৬ খৃষ্টাব্দত যেতিয়া বঙ্গবিহাৰাদি বিজেতা মহম্মদ্-ই-বখ্তিয়াৰ খিলিজি এক প্ৰকাণ্ড মুছলমান বাহিনী লৈ কামৰূপত সোমায় গৈ, তেতিয়া তেওঁ প্ৰায় সমস্ত সেনা হেৰুৱাই কথমপি প্ৰাণ বঁচাই ফিৰি আহিছিল।" তেখেতে আৰু লিখিছে—'এই প্ৰাথমিক আক্ৰমণতেই যে মুছলমান সকল বিধ্বস্তপ্ৰায় হৈ ফিৰিছিল এনে নহয়, ভবিষ্যতেও তেওঁলোকে বাৰ বাৰ কামৰূপ আক্ৰমণ কৰি ইয়াৰ কোনো অংশ বেছি দিনলৈ নিজৰ অধিকাৰভুক্ত কৰি ৰাখিবলৈ সমৰ্থ হোৱা নাছিল।'

ভট্টাচাৰ্য্যে এই সময়ত কামৰূপত কোন ৰজা আছিল, তাৰ কোনো ঠিক কৰি দিব নোৱাৰিলে। তেওঁৰ অধিকাংশ পৰিশ্ৰম কামৰূপ নগৰৰ অৱস্থিতিৰ ঠাই বিচাৰতে খেদাইছে।

ভট্টাচাৰ্য্যে কানাই বড়শীৰ শিলালিপিৰ চিত্ৰ আমাৰ

* Social History Vol I অত কামৰূপপুৰ বুলিছে। নগৰ, পুৰ সমানাৰ্থক।

* এই ঠাই খনতে ১৭শ শতাব্দীৰ আৰম্ভতে কোচৰজা পৰীক্ষিতেও নগৰ পাতে। (Parikshit removed his capital to N. Gauhati ahd built a palace near the Aswakranta Hill—page 64, Gait's History]

উদ্যোগত আমাৰ পৰা পাই, সেই কথা স্বীকাৰ নকৰাত দুখিত হৈছোঁ।

ফলিৰ কথা।

ৰত্নপালৰ প্ৰথম ফলি—এই ফলি দৰঙ্গ জিলাৰ তেজপুৰ সদৰ ছব-ডিভিজনৰ বড়গাওঁ মৌজাত পোৱা যায়। সেই কাৰণে ইয়াৰ নাম বড়গাওঁ লিপি দিয়া হৈছে। এই ফলিখন ১৮৯৭ খৃষ্টাব্দত গেইট চাহাবে এচিয়াটিক চোচাইটীলৈ পঠায়। ডাঃ হৰ্ণলি চাহাবে ইয়াৰ পাঠ উদ্ধাৰ কৰি ১৮৯৮ খৃষ্টাব্দত সেই চোচাইটীৰ জৰ্ণেলত প্ৰকাশ কৰে। এই শাসনৰ আকৃতি বলবৰ্ম্মাৰ ফলিৰ দৰে। ইয়াৰ ছটা তিনিখন আঙঠিৰে সাঙ্গোৰা। এই শাসন ৰত্নপালৰ ৰাজত্বৰ ২৫ অব্দত দিয়া। ৰত্নপালৰ ৰাজত্ব খৃঃ একাদশ শতাব্দীৰ প্ৰথম অংশত বুলি নিৰ্দ্ধাৰিত হৈছে।

ফলিখনৰ গদ্য-পদ্যৰ ৰচনাত বৰ কৃতিত্ব আছে। এই ফলিৰ ওপৰত ডাঃ হৰ্ণলি আৰু ডাঃ ব্লকে নানা বিৰুদ্ধ মত প্ৰকাশ কৰিছিল। ভট্টাচাৰ্য্যে সেই মতবোৰ খণ্ডাই কামৰূপ শাসনাৱলীৰ ভিতৰত ৰত্নপালৰ ফলিখনক শ্ৰেষ্ঠ স্থান দিছে।

ফলিখনেৰে ৰাজসনেয় কাণ্বশাখাৰ পৰাশৰ গোত্ৰীয় দেৱদত্তৰ পুত্ৰ গঙ্গদত্তৰ ঔৰসে শ্যামায়িকা দেৱীৰ গৰ্ভত জাত বীৰদত্ত নামে শাস্ত্ৰজ্ঞ, ধৰ্মিষ্ঠ ব্ৰাহ্মণক ২০০০ ধান উৎপন্ন হোৱা ভূমি দান কৰা কথা আছে। সেই মাটি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ত্ৰয়োদশ গ্ৰাম বিষয়ৰ লাবুকুটি ক্ষেত্ৰত। ধানৰ ওজনটো 'পুৰা'ই হব পায়।

দৰঙ্গখণ্ডত লাবুকুটি বা লাউকুটা বুলি কোনো গাওঁ আছে নে নাজানোঁ।

ৰত্নপালৰ দ্বিতীয় ফলি—* এই ফলি কামৰূপৰ শুৱাল কুছিত পোৱা যায়। গেইট চাহাবে এই ফলি আনি ১৮৯৬ খৃষ্টাব্দত এচিয়াটিক চোচাইটীলৈ পঠায়। প্ৰায় বছৰেকৰ পিছত ডাঃ হৰ্ণলিয়ে এই ফলিৰ সমালোচনা প্ৰথম ফলিৰ সমালোচনাৰে সৈতে চোচাইটীৰ জৰ্ণেলত প্ৰকাশ কৰে। ইয়াৰ আকাৰ-প্ৰকৃতি প্ৰায় ১ম ফলিৰ দৰে, কিন্তু ইয়াৰ দীঘ পুতল অলপ বেছি। ইয়াৰ দীঘে ১২ইঞ্চি, পুতলে ৮½ ইঞ্চি। ইয়াৰ ১ম ফলক খনি হেৰাইছে, বাকী যি আছে, তাৰ পৰা দেখা যায় ইয়াৰ আৰম্ভৰ কথা খিনি প্ৰথম ফলিৰ দৰেই। এই শাসনখন ৰত্নপালৰ ৰাজত্বৰ ৩৬ শ অব্দত অৰ্থাৎ ১ম খনৰ ১১ বছৰ পিছত দিয়া হৈছিল। এই ফলিৰে কলঙ্গা বিষয়ৰ ভিতৰত ৩০০০ ধান উৎপন্ন হোৱা ভূমি কাণ্বশাখাৰ ভৰদ্বাজ গোত্ৰীয় বলদেৱ ভট্টৰ পুত্ৰ বাসুদেৱ ভট্টৰ ঔৰসে ছেপ্পায়িকা দেৱীৰ গৰ্ভত জাত কামদেৱ ভট্টক দান কৰা হৈছিল।

ইয়াৰ কলঙ্গা বিষয় বোধ হয়, নগাৱঁৰ কলং নৈৰ পাৰৰ কোনো পৰগণা আছিল।

ইন্দ্ৰপাল প্ৰথম ফলি—এই ফলি কামৰূপৰ পাতিদৰঙ্গ মৌজাৰ বড়পানাৰা গাৱঁত পোৱা গৈছিল। পোৱা দিনৰ পৰা প্ৰায় ৩০বছৰমান পিছত ইয়াৰ সন্ধান পাই গেইট চাহাবে আনি ১৮৯৩ খৃষ্টাব্দত ডাঃ হৰ্ণলি চাহাবৰ তালৈ পঠায়। ডাঃ হৰ্ণলিয়ে ১৮৯৭ খৃষ্টাব্দত ইয়াক এঃ চোঃ জৰ্ণেলত প্ৰকাশ কৰে। এই ফলিৰ দীঘে ১০ ইঞ্চি পুতলে ৬ ইঞ্চি। ইয়াক ইন্দ্ৰপালৰ ৰাজত্বৰ ৮ম বছৰত দিয়া হৈছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে 'হ্যপোমা' বিষয়ৰ অন্তৰ্গত কাসিপাটকৰ পৰা খাৰিজ কৰি ৪০০০ ধান উৎপন্ন হোৱা মাটি দান কৰা হৈছিল। যি বামুনক মাটি দিছিল, তেওঁৰ নাম দেশপাল;—তেওঁ যজুৰ্ব্বেদীয় কাশ্যপ গোত্ৰৰ। তেওঁৰ পিতৃৰ নাম শবৰ পাল, মাকৰ নাম সৌখ্যায়িকা; ককাকৰ নাম হৰিপাল।

মাটিৰ সীমাত মাক্সিযান বিষয়ৰ উল্লেখ আছে। 'হ্যপোমা' আজিকালিৰ বৰমা আৰু মাক্সিযান মাখিবাহা হব পাৰে। মহামতি গেইট চাহাবে স্বৰ্গীয় ভোলানাথ দাস ডাঙ্গৰীয়াৰ দ্বাৰা এই বিষয়ে বিচাৰ কৰাইছিল কিন্তু কোনো মীমাংসা কৰিব নোৱাৰিলে।

* এইখন ফলিকে প্ৰায় এক শতাব্দী আগে জেনেৰেল জেন্‌কিন্স চাহাবে ভুল কৰি ধৰ্ম্মপালৰ ফলি বুলি এচিয়াটিক চোচাইটীক জনাইছিল। সেই ভুল কথাকে গেইট্ চাহাবে তেখেতৰ Historical Research ৰিপোৰ্টৰ ১৭ (৫) পেৰাগ্ৰাফত ঠাই দিছে। গেইটৰ কথাকে বিশ্বাস কৰি আমিও 'আৱাহন'ৰ 'ৰংমহল' প্ৰবন্ধত দুই এটা অবান্তৰ কথা লিখিছিলোঁ। লিঃ

ইন্দ্রপালৰ ২য় ফলি—এই ফলিখন ১৯২৫ খৃষ্টাব্দত নলবাড়ীৰ ওৱাকুছিত ওলায়। সেই বছৰতে ফলিখন স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীৰ হাতলৈ আহে। গোঁসাই ডাঙ্গৰীয়াৰ পৰা ইয়াৰ প্ৰতিলিপি ভট্টাচাৰ্য্যে নি ১৩৩৬ চনত বংগপুৰ সাহিত্য পৰিষদ্ পত্ৰিকাত প্ৰকাশ কৰে। ফলিখন ইন্দ্রপালৰ ৰাজত্বৰ ২১ম অঙ্কত প্ৰথম শাসন দিয়াৰ ১৩ বছৰ পিছৰ। ফলিখনেৰে ৰজাই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে মন্দিৰবিষয়ৰ অন্তৰ্গত পণ্ডবী ভূমিভাগত ২০০০ ধান উৎপন্ন হোৱা মাটি ধান কৰিছিল। যি বামুনক মাটি দান কৰিছিল, তেওঁৰ নাম দেৱদেৱ, তেওঁৰ পিতৃৰ নাম বাসুদেৱ, মাতৃৰ নাম অনুৱাধা, পিতামহৰ নাম সোমদেৱ। এওঁলোক যজুৰ্ব্বেদী কাণ্বশাখাৰ ব্ৰাহ্মণ আছিল। ব্ৰাহ্মণৰ নিবাস, সাৰথি বৈনামক গাওঁ। পাণ্ডুবী মৌজা ধঙ্গিয়া অঞ্চলত, তাতে 'সাৰথি' গাওঁ থকা সম্ভৱ।

দান দিয়া মাটিৰ সীমাত মহাগোবী কামেশ্বৰ অধিকৃত শাসনৰ মাটিৰ উল্লেখ আছে। ইয়াৰ দ্বাৰা আমি বুজিব পাৰোঁ, ইন্দ্রপাল বা তেওঁৰ পূৰ্ব্বপুৰুষে কামাখ্যা দেৱালয়কো শাসন লিখি মাটি দিছিল। কামাখ্যাত এতিয়া সেই ফলি আছে নে ভূ নাপাওঁ। সীমাত কোনো বম্মবিষয় শাসনৰো মাটিৰ উল্লেখ আছে। এই মাটি হাজোৰ মাধৱত হব পায়।

শেষৰ ফলিছোৱাৰ লেখাৰ তলত এটা ভাটৌৰ দৰে চৰাই (বোধ হয় গৰুড়), তাৰ তলত এটা সাপ। সৌ কাষত যত্ৰ, পদ্ম, শঙ্খ চক্ৰ আছে। চৰাইৰ বাওঁকাষে শনি, ঢনি, অনি—এই তিনটা শব্দ আছে। এই কেইটা যে তক্ষকাৰ বা আখৰ কটা মানুহ তাৰ ভুল নাই। ফলিৰ প্ৰথম ছটাৰ আখৰ এক বৰকম, আন দুখনৰ আন বৰকম। তিন তিন মানুহে কটাৰ নিমিত্তে আখৰৰ গঢ় লৰিছে বুলি বুজিব পাৰি। ফলি কেউটাৰে আখৰবোৰ বৰ স্পষ্ট।

ধৰ্ম্মপালৰ ১ম ফলি—এই ফলিখন স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীৰ হাতত আছিল। তেওঁ এই ফলি কেতিয়া, কাৰ বা কোন ঠাইৰ পৰা পাইছিল, এই কথা কোনেও নাজানে। সম্ভৱতঃ এই ফলি গোস্বামী ডাঙ্গৰীয়া স্বৰ্গী হোৱাৰ দুই এবছৰ আগতে পোৱা। ভট্টাচাৰ্য্যে ফলিত উল্লিখিত ঠাইৰ নাম অনুসাৰে ইয়াক ওত্তৰ পাটকলিপি নাম দিছে। কিন্তু ফলিত 'ওহঙৰ পাটক' হে আছিল। আমি ইয়াক ওৱাহাটীৰ ফলি বুলিয়ে ধৰিলোঁ। ১৯২৯ ইংৰাজী চনত এই ফলি গোঁসাইৰ পুত্ৰৰ পৰা ডাঃ কে, লীকিতে নিয়ে। তেওঁৰ পৰা কিছুদিনৰ নিমিত্তে ভট্টাচাৰ্য্যে নিয়ে। তেখেতে ইয়াৰ আখৰ আদি পৰীক্ষা কৰি ইয়াক ধৰ্ম্মপালৰ প্ৰথম ফলি বুলিছে। এই ফলিত ব্ৰহ্মপালৰে পৰা সাত পুৰুষৰ নাম দিয়া আছে। ইয়াৰে দিজিন্না বিষয়ৰ অন্তৰ্গত কাজিয়া ভিটৰ শ্ৰাবস্তিত ক্ৰোঞ্চ নামে গাঁৱত ৬০০০ ধান উৎপন্ন হোৱা মাটি ৰজাৰ ৰাজত্বৰ ৩য় বছৰত দুজন ব্ৰাহ্মণক দান কৰা হৈছিল। তেওঁলোকৰ এজনৰ নাম হিমাঙ্গ, আন জন তেওঁৰ ভায়েক, নাম ত্ৰিলোচন। তেওঁলোক কৌথুমশাখাৰ সামবেদী ব্ৰাহ্মণ। তেওঁলোকৰ পিতৃৰ নাম ভৱত, মাতৃৰ নাম পাউকা (বোধহয় পাৰকা)। ভট্টাচাৰ্য্যে 'পাহুকাৰ' পৰা পাউকা হোৱা অনুমান কৰে। ব্ৰাহ্মণ দুজনৰ পিতামহ বা ককাকৰ নাম বামদেৱ। ভাগত হিমাঙ্গে ৪০০০, আৰু ত্ৰিলোচনে ২০০০ ধান উৎপন্ন হোৱা মাটি পায়। ফলিত দুযোভাগৰে বেলেগ বেলেগ সীমা ধৰা আছে। সীমাত কুৰ্ম্মনাথৰ শাসনৰ মাটি উল্লেখ আছে। এই কুৰ্ম্মনাথ পাতিদৰঙ্গ মৌজাৰ কুৰ্ম্মমাহৰ বা অধুনাৰ কুৰ্ম্মজনার্দ্দনৰে হব পায়। কুৰ্ম্মনাথৰ বা কুৰ্ম্মজনার্দ্দনৰ শাসন দান কৰা কোন ৰজা বুজা নাযায়।

ভট্টাচাৰ্য্যে শ্ৰাবস্তি গাওঁ ভাটৰ ফালে পূৰ্ব্বকৃত পাতিৰ খোজে। আমি ইন্দ্রপালৰ ২য় ফলিত 'সাৰথি' নাম পাই আছিলোঁ। সেই 'সাৰথি'কে সংস্কৃতীয়া কৰি শ্ৰাবস্তি লিখা সম্ভৱ। 'সাৰথি' কামৰূপৰ পাণ্ডুবী মৌজাত বুলি দেখুয়া হৈছে। 'শ্ৰাবস্তি' আৰু 'সাৰথি' যে অভিন্ন তাত কোনো সন্দেহ নাই।

ভট্টাচাৰ্য্যে ফলিখনৰ কাল ধামশ শতাব্দীৰ প্ৰথমাৰ্দ্ধ বুলি ধৰে আৰু ধৰ্ম্মপালৰ ৰাজত্ব দীঘলীয়া বুলি অনুমান কৰে। ফলিখন দীঘে ৯ ইঃ পুতলে ৬½ ইঞ্চি।

এই ফলি-বচৌতা কবিৰ নাম প্ৰস্থানকমল। নামটো অদ্ভুত বৰকমৰ।

ধৰ্ম্মপালৰ দ্বিতীয় ফলি—এই ফলি ১৯১০ * খৃষ্টাব্দত উত্তৰ ওৱাহাটীৰ ওচৰৰ বংমহল গাঁৱত পোৱা যায়। বংমহলৰ যি চুবুৰিত এই ফলি পোৱা গৈছিল তাৰ নাম আঠগাঁও, সেই আঠগাঁও পুখুৰীভদ্ৰা মবাৰেৰ ওচৰত। ভট্টাচাৰ্য্যে ফলিৰ নাম পুখুৰীভদ্ৰালিপি দিছে। এই ফলি কেনেকৈ পোৱা গৈছিল, কেনেকৈ ভট্টাচাৰ্য্যে পালে, সকলো কথা বহলাই ওপৰঞ্চিত দিয়া হ'ল।

এই ফলিৰ আকাৰ প্ৰথম ফলিৰ দৰেই। লেখাও বৰ স্পষ্ট। ফলি বচক ব্ৰাহ্মণজনৰ নাম অনিৰুদ্ধ। এই ফলিৰ ১ম আঠোটা শ্লোক ৰজাই নিজে বঁচাব প্ৰমাণ পোৱা যায়। বোধ হয়, ৰজাই ফলিখন বচিবলৈ আৱশ্যক কথাত, উপযুক্ত কবিজনক পাই সেই কাৰ্য্য তেওঁলৈ হাতত দিছিল। কবিয়ে ৰজাৰ পূৰ্ব্ব পুৰুষ তিনিজনৰ বৰ্ণনা যি দিছে, সি বৰ চমৎকাৰ। তাৰ উপৰি, ভূমিগ্ৰহিতা ব্ৰাহ্মণৰ গাওঁখননৰো সুন্দৰ বৰ্ণনা দিছে। শাসনখননেৰে পুৰজি বিষয়ৰ ভিতৰত গুহেশ্বৰ ডিগ্ডোল নামে গাঁৱত ১০,০০০ ধান উৎপন্ন হোৱা মাটি দান কৰা হৈছে। দান পোৱা ব্ৰাহ্মণজনৰ নাম মধুসূদন—তেওঁৰ নিবাস খ্যাতিপলি গাঁৱত। এই খ্যাতিপলি আজিকালিৰ কামৰূপৰ খাটকুছি গাওঁ হব পায়। এওঁ যজুৰ্ব্বেদী—মাধ্যন্দিনশাখী শুদ্ধ মৌদ্গল্য গোত্ৰৰ। মধুসূদনৰ প্ৰপিতামহৰ নাম নৰবাহন, পিতামহৰ নাম ভাস্কৰ, পিতামহীৰ নাম জীৰা। তেওঁৰ পিতৃৰ নাম স্বতন্ত্ৰ, মাকৰ নাম নেত্ৰা আৰু তিবোতাৰ নাম পত্মা আছিল।

এই ফলি ধৰ্ম্মপালৰ ৰাজত্বৰ কোন শকত দিছিল, তাৰ উল্লেখ নাই। সম্ভৱতঃ ৰজাই বৃদ্ধ বয়সতে ইমান মাটি বামুণক দান কৰি পুণ্য আৰ্জি গৈছে।

ফলিখন আনফলিৰ দৰে আৰ্য্যাছন্দত লিখিছি কাস্তিলক ছন্দত লিখা। এয়ে ফলিৰ বৈশিষ্ট্য।

ইয়াৰ তক্ষকাৰ বা আখৰ কটা মানুহজনৰ নাম শ্ৰীবিনীত। [ক্ৰমশঃ

---

* 'আৱাহনত' বংমহল প্ৰকাশ এই শকটো পাহৰি ১৯১২ লিখা হৈছিল। পাঠক সকলে তথাই ১৯১০ কৰি লব।

ভ্ৰান্ত

—গল্প

—শ্ৰীযুত হলীৰাম ডেকা এম-এ, বি-এল

ৰাহিৰত জিপ্ জিপকৈ ববষুণ পৰিছে, মাজে মাজে বগৰ চেঁচা বতাহ বলিছে। আহাৰ মাহ হলেও গাত বাগোৰ নৈ শুৱ পৰা বতৰ হৈছে। উজনিমুৱা জাহাজ, নৈত পানীৰ ঢল আহিছে, জাহাজৰ গতি অতি ধীৰ। বামমোহন মজুমদাৰে প্ৰথম শ্ৰেণীৰ কেবিনৰ দুৱাৰ মাৰি গাত চেলেং কাপোৰ এখন লৈ শুবলৈ যত্ন কৰিছে। হেংহত পুলিচ বিভাগৰ উচ্চতম কৰ্ম্মচাৰী, ভেশণন কবি চাৰাচোৱা সকলৰ কাৰ্য্য পৰ্য্যবেক্ষণৰ বাবে উজনিলৈ ওলাইছে। চালাম ঠোকা পুলিচৰ সহাৰি মবাত তেখেতৰ চকু লাগোঁ লাগোঁ হৈছে, এনে সময়ত দুৱাৰত কোনোবাই বাহিৰৰ পৰা ধকিয়াইছে। দু-এবাৰ শব্দ শুনি তেওঁ চকু মেলা নাই, পিছত ক্ৰমাগত ধমধমনি কিমান শুনিব, উঠি হাত খন মেলি দুৱাৰ খন এৰি দিলে—ববষুণত জুকলি জুপুৰি নহলেও আধা-ভিজা হোৱা ডেকা গাঁৱা এটা হাতত সৰু টুটকেছ আৰু বিছনাৰ টোপোলা এটা লৈ মজুমদাৰৰ কেবিনত সোমাল। মজুমদাৰে অলপ আচৰিত হৈ তেওঁৰ

ফালে চালে, তেওঁৰ মনত সন্দেহো হ'ল যে তেওঁৰ কিজানি প্ৰথম শ্ৰেণীৰ যাত্ৰীৰ টিকট নাই ; তদুপৰি তেওঁৰ মুখখন যেন চিনা চিনা লাগে, সুধি অকস্মাৎ অপমান পায় বুলি সোধাৰ একো আৱশ্যক বোধ নকৰিলে। তেওঁ আকৌ বিছনাত দীঘল দিলে। আগন্তুকে কিন্তু তেওঁৰ পিনে কেৰাহিকৈয়ে চোৱা নাই। তেওঁ সোমায়ে চুটকেছটো তলত ঠেকেছা মাৰি থলে, বিছনাৰ টোপোলাৰ জৰি ডাল সোলোকাই কেবিনৰ চুকলৈ দলিয়াই থৈ নিজৰ আধা মলিয়ন বিছনাৰ কানি কাপোৰ মেলি ললে, টিনৰ চুটকেছটোৰ হাতেৰে চাবি ঘূৰাই এখন বিছনা-চাদৰ উলিয়াই তাৰ ওপৰত পাৰি বিছনাত লাফ মাৰি উঠিল। দুবাৰমান দোপ দি তুলিৰ ওপৰত বিছনা কিমান সুখকৰ হৈছে চাই, হাতেৰে নধৰাকৈ ভৰিৰ সহায়েৰে দুভৰিৰ ফিটা লগোৱা চেণ্ডেল সোলোকাই থৈ ভৰি দুখন বিছনা-চাদৰেৰে মচি বিছনাত এবাৰ দীঘল দিলে। দুটামান সুহুৰি মাৰিলে। অলপ সময় ইকাটি সিকাটি কৰি চাই, ভৰি-পঠানৰ ফালৰ খিৰিকিখন মেলি দিলে। ইপিনে সিপিনে দুভুমুকিমান মাৰি খিৰিকি আকৌ জপাই থলে। ইখন সিখনকৈ নিজৰ কামিজটোৰ কেবাখনো মোনা বিচাৰি এটা বিড়ী উলিয়াই হুপিবলৈ ধৰিলে। দুহোপামান মাৰি সিটো দলিয়াই পেলাই দুটা বিড়ী একে লগে মুখত দি হুপিবলৈ ধৰিলে—ধোৱাঁৰে কেবিন কুৱামুৱা হ'ল। সেই দুটা বিড়ী পুৰি আকৌ দুটা মুখত দিলে কিন্তু জুইবাঁহটোৰ আধ্যা পৰিছে, তাৰ আগৰ দুবাৰৰ চেষ্টাতে চাল বাকলি গৈছে—ইবেলি গৰাকীৰ ইমান ঘইনি আৰু ফুঁতো তাৰ গা তপত হৈ নুঠিল। খিৰিকিখন আকৌ মেলি ধোৱাঁবোৰ উলিয়াই দিলে, কিন্তু জুইচিলাইৰ অভাৱ বৰকৈ বোধ কৰিবলৈ ধৰিলে। মজুমদাৰৰ টোপনি অহা নাই, তেওঁ আধামুদ খোৱা চকুৰে আগন্তুকৰে গতি গোত্ৰ লক্ষ্য কৰিছে। পিছত এওঁ বিছনাৰ পৰা জাপ মাৰি নামি জোতাযোৰ ভৰিৰে চোঁচোৰাই নি মজুমদাৰৰ গাৰুৰ তলত গৈ হাত সুমুৱালে। মজুমদাৰ ডেকা মানুহ হলেও তেওঁৰ সহযাত্ৰীৰ সাহ দেখি অলপ স্তম্ভিত হ'ল। তেওঁ সুধিলে "কি লাগে ?" এওঁ অলপো অপ্ৰস্তুত নোহোৱাকৈ কলে—"দ্যাচলাই।" মজুমদাৰে কলে—"মোক কোৱা হলেই হ'লহেঁতেন।" ডেকাজনে কলে—"মাফ কৰিব, আপুনি দেখোঁ শুইছিল, মই বোলোঁ কিয়নো মাতোঁ, সহজ কাম।" টেবিলত থকা হলে গাৰুৰ তলত নাচালোহেঁতেন, ইপিনে ছিগাৰৰ ছাই দেখোঁ আপোনাৰ কাষত দেখিছোঁ। মজুমদাৰে ভাবিলে—"আজিকালিৰ ল'ৰাবোৰ বিষম সাহসিক !" দিয়াচলাইটো ভিতৰৰ ফালে কাষত আছিল, দিলে। ডেকাজনে সেইটো লৈ বাহিৰ ওলাল, মুখৰপৰা বিড়ী আগতে নমাইছে। অলপ পিছতে দুপিয়লা চাহ লৈ ডেকাজন ভিতৰ সোমাল আৰু মজুমদাৰক কলে "চাহ খাওক।" মজুমদাৰে কলে "চাহ আহিলেই হয় নহয় অলপ পিছত।"

ডেকাজনে কলে "দুখন বিস্কুট হোৱা হলে ভাল আছিল।" মজুমদাৰে কলে "ইয়াতে মোৰ টিফিন কেৰিয়াৰটো আছে, চাকৰটোক মতাব পাৰিলে—"এই বুলি নাগৰা যোৰ ভৰিত সুমাবলৈ মন কৰি তললৈ চালে, ল'ৰাজনে "নালাগে ৰব" বুলি টিফিন কেৰিয়াৰটো মজুমদাৰৰ বিছনাৰ তলৰ পৰা আনি কেখনমান লুচি আৰু এটা আধা সিজা কণী, অলপ ভজা আলু আৰু স্কোৱাছে সৈতে মজুমদাৰক দিলে। মজুমদাৰে "মোৰ ভোক নাই" বুলি হাঁহি কলে--ডেকাজনে কলে—"মোৰ হলে আছে।" "বাৰু আপুনি খাওক" বুলি মজুমদাৰে চাহৰ পিয়লা তুলি ললে আৰু ডেকাজনে সকলো শেষ কৰি টিফিন কেৰিয়াৰ আগৰ ঠাইত থৈ পিয়লা পিৰিচ বাহিৰ কৰি থলে আৰু মজুমদাৰক দুডোখৰ চুপাৰিৰে সৈতে জুইবাঁহ শোধাই দিলে। মজুমদাৰে মনতে ভাবিলে "ল'ৰাটোক বুধিয়ক অথচ চেৰাবলিয়া যেন দেখি।" ল'ৰাজনে ঘপৰাই কলে—"আপুনি মোৰ কথা ভাবিছে নহয় ? আপোনাক ক'তবাত দেখা দেখা যেন লাগে। আপুনি গোৱালপাৰাত আছিল ? নহয়, বোধ হয় মণিপুৰলৈ যোৱা বাটত মাও থানাত আপোনাক দেখিছিলোঁ,—বুঢ়া নগা এজনেৰে সৈতে কথা পাতিছিল আপুনি, নহয় ? লুঙি পিন্ধা, কাণত ঠুৰিয়াৰে সৈতে বুঢ়া নগাটো ! আপুনি তেতিয়া ইমান শকত নাছিল।" মজুমদাৰে অলপ আচৰিত হৈ ডেকাজনলৈ চালে। পিছত কলে—"মই মণিপুৰলৈ

গৈছিলোঁ হয়। মাওত বুঢ়া নগা এজনত সিহঁতৰ মাজত প্ৰচলিত ৰীতি-নীতি আদিৰ বিষয়ে কিবাকিবি কথা সোধা মনত পৰে।" ডেকাজনে মনতে কিবা ভাবি হাঁহিমুৱা হৈ কলে "অলপ নিলগত বুঢ়াৰ গাভৰু ছোৱালী এজনীয়ে আপোনালৈ ৰ লাগি চাই আছিল,নহয় নে? আৰু আপুনিও তাইলৈ দুবাৰ এবাৰ মুখ ঘূৰাইছিল ?" মজুমদাৰৰ যদিও টকা আৰু পদবী হৈছে, বয়স বেছি হোৱা নাছিল। তেওঁৰ গাললৈ এচমকা ৰঙা মেঘ যোৱাৰ দৰে মুখৰ বৰণ অলপ ৰঙচুৱা হৈ উঠিল, কাৰণ তেওঁৰ অতি স্পষ্ট ভাৱে মনত পৰিছিল যে বুঢ়া নগাৰ লগত কথা পতাৰ বিশেষ আকৰ্ষণৰ কাৰণ সেই গাভৰু জনীয়ে আছিল। পৰ্ব্বতীয়া ফুলৰ সুঘ্ৰাণ বা সৌন্দৰ্য্য যে কবি-কল্পিত নহয়, এই কথা তেওঁ সেই মুহূৰ্ত্তত সুন্দৰকৈ অনুভৱ কৰিছিল ! ডেকাজনে কলে—"বাহিৰলৈ যাওঁ আহক।" মজুমদাৰে কলে—"যাওঁ বাৰু। আপুনি..." শেষ কৰিবলৈ নৌপাওঁতেই ডেকাজনে কলে—"মোক তুমি বোলাই ভাল।" মজুমদাৰে হাঁহি কলে—"বাৰু তুমি বুলিবলৈকে সাহ কৰিলোঁ। তোমাক চিনোঁ চিনোঁ যেন লাগে অথচ চিনিব পৰা নাই।" "মোক চিনাৰ আৱশ্যক নাই" ডেকাজনে কলে। মজুমদাৰে সুধিলে "কিয় ?"—"কাৰণ বহুত। আপুনি পুলিচৰ ওখ খাপৰ চাকৰীয়া, সকলো পৰিচয় আপোনাক নিদিয়াই ভাল।" মজুমদাৰে গহীনাই সুধিলে "মোক পৰিচয় দিলে জানো তোমাৰ কিবা বিপদ আছে ?" ডেকা জনে হাঁহি কলে—"বিপদ থকা হলে জানোঁ বিনা লাইচেন্সে ৰিভলভাৰ, কাৰ্টিচ লৈ আপোনাৰ লগত একে কেবিনতে ফুৰোঁ ? বিপদ আছিল, এতিয়া তাৰ হাত এৰুৱাইছোঁ, মই মুক্ত !" ডেকাজনৰ কথাৰ সুৰ মজুমদাৰৰ মনত ভাল নালাগিল, তথাপি তেওঁ একো সন্দেহৰ চকুৰে ল'ৰাজনলৈ নাচালে, কেৱল সুধিলে—"মুক্ত অৰ্থ কি ? কৰবাৰ ফাটেকৰ পৰা পলাই আহিলা নে খালাচ হৈ আহিলা, নে কি ? বন্দী আৰু মুক্ত বুলিলে আমি তাকেই বুজোঁ—পুলিচৰ মানুহ।" "বাৰু পৰিচয় দিম, ব'লক বাহিৰলৈ। ইয়াত বৰ গৰম পাইছোঁ।"

মজুমদাৰ এখন চকিত বহিল, ডেকাজন কাষতে থিয় হৈ থাকিল। মজুমদাৰে কলে—"বহা" ; তেওঁ কলে—"নালাগে দিয়ক, থিয় হৈয়ে ভাল লাগিছে।" মজুমদাৰে সুধিলে—"প্ৰাকৃতিক দৃশ্য চাইছা নে কি ? ডেকাকালত এইবোৰ ভাল লাগে, নহয় নে হেঁ ?" ডেকাজনে উত্তৰ দিলে—"জানো, কবই পৰা নাই ৰব।" "কিয়, কব পৰা নাই কিয় ? তোমাৰ ভাল লাগে নে বেয়া লাগে, সেইটো তুমি নকলে কোনে কব পাৰে ?" মজুমদাৰৰো মনলৈ যেন বহু দিনৰ পিছত ডেকা কাল উভতি আহিছে, এনে লাগিল আৰু তেওঁ আচলতে প্ৰকৃতিৰ সৌন্দৰ্য্যত অলপ মত্ততা অনুভৱ কৰিবলৈ ধৰিলে। ডেকাজনে সুধিলে—"আপুনি আগেয়ে কবিতা লেখিছিল, নহয় ?" মজুমদাৰে হাঁহি সুধিলে—"তোমাক কোনে কলে ?"—"মোক আৰু কোনে কব লাগে ! 'বাঁহী,' 'বান্ধৱ', 'আলোচনীৰ' পাত লুটিয়ালেই পায় নহয়।" মজুমদাৰে অলপ গৰ্ব্ব অনুভৱ কৰি কলে—"তুমি পঢ়া দেখিছোঁ।" ল'ৰা জনে অলপ কঠুৱা ভাৱে কলে—"নপঢ়োঁ।" "তেনেহলে কেনেকৈ জানিলা ?" "চকুত পৰে।" "তুমি কি পঢ়া ?"—"একো নপঢ়োঁ।" "তেনেহলে কিতাপৰ পাত লুটিয়াবলৈ যোৱা কিয় ?" "তাতকৈ সহজ দুষ্টামি একো নাই।" "কিতাপ পঢ়া জানো দুষ্টামি ?" "কিতাপ পঢ়া দুষ্টামি নহব পাৰে, কিন্তু পাত লুটিওৱাটো ভণ্ডামি।" "তাৰ কাৰণ ?" "কাৰণ আন একো নহয়। একো নকৰিলে অভিভাৱকে কয়—'ই একো নকৰে', আগত কিতাপ নাথাকিলে কয়—'ই একো নপঢ়ে'—তাতকৈ হাতত এখন পুৰণি আলোচনী লৈ পাত লুটিয়াই গৈ থাকিলেই হয়, ক'তবাত ইচ্ছা হলে দুশাৰী পঢ়িব লাগে।"

মজুমদাৰে সুধিলে "তোমাৰ নাম কি ?" ডেকাজনে কলে "মোৰ নাম শিৱ।" "তোমাৰ ঘৰ ক'ত ?" "সেইটো আপুনি নাজানিলেও হব।" "শিৱ, তুমি অলপ অভদ্ৰ ধৰণৰ দেখিছোঁ।" "আপুনি অলপ হে বুলিছে, মই হলে সম্পূৰ্ণ বুলি অনুমান কৰিছোঁ।" "তুমি কথাবতৰাত যেন ইচ্ছা কৰি কিবা এটা অসন্তুষ্টি প্ৰকাশ কৰিছা, এনে অনুমান হয়।" "প্ৰকাশ কৰিছোঁ কিয়, আছেই।" "কিহৰ নো ইমান অসন্তুষ্টি ?" "সকলোৰে।" মজুমদাৰে

অলপ বিৰক্তভাৱে মুখ ঘুৰালে। জাহাজে সোঁ সোঁ কৰি পানী কাটি যাবলৈ ধৰিলে। আকাশত জোন উঠিল, অলপ দূৰত তাৰ প্ৰতিবিম্ব পৰি পোহৰৰ স্তম্ভ এটা যেন নিমিষে নিমিষে ভাগি আকৌ জোৰা লাগিছে, এনে দেখা গৈছে। কৰ্ত্তব্যৰ কঠোৰতা পাহৰি মজুমদাৰে অলপ শান্তি অনুভৱ কৰিছে, দুপাৰৰ পাহাৰ হাবিয়নি তেওঁৰ চকুত ৰৰ বিতোপন লাগিছে। ডেকাজনে ডেকত ভৰিবে ধমধমকৈ দিছে। মজুমদাৰে মুৰ তুলি চোৱাত তেওঁ হাঁহি কলে "আপোনাৰ শান্তি ভঙ্গ কৰিবলৈ শব্দ কৰিছোঁ।" "কিয়, মোৰ শান্তিলৈ নো তোমাৰ ইমান হিংসা কিয়?" "অকল আপোনাৰ বুলি নহয়, সকলোৰে শান্তিলৈ মোৰ বিদ্বেষ।" "শিৰ, তুমি ন'ৱা মানুহ, তোমাৰ কথা ৰহস্যাৰ ধৰণ মই ভাল দেখা নাই। তোমাৰ কিবা নৰিয়া হৈছিল?" "হৈছিল, আপুনি চিকিৎসক নেকি?" "তোমাক মিনতি কৰিছোঁ, মোক অলপ শান্তিত এৰা।" "আপোনালোকে কাক শান্তিত এৰিছে যে নিজৰ শান্তিৰ ইমান মৰ্য্যাদা বিচাৰে?" "তুমি যদি departmental কামৰ বাবে মোৰ কৈফিয়ৎ খুজিছা, তাৰ উত্তৰ প্ৰিয় নহয়।" "আপুনি দিব পৰা শাস্তিতকৈ মই ডাঙৰ শাস্তি বিছিব পাৰোঁ।" "কাক, মোক নে?" "আপোনাক, জগতৰ যাকে তাকে, মোকো।" মজুমদাৰে খণ্ডতে কলে—"তুমি বলিয়া হৈছা?" "ধৰিছে ঠিক, দেখিছোঁ" এই বুলি কৈ ডেকাজনে হাঁহিলে। মজুমদাৰৰ গাটো শিৰ্ দিই উঠিল, তেওঁ পাছৰ ফালে চালে ডেকাজনে কলে—"ভয় কৰিছে? পুলিচ সহচৰ বিচাৰিছে?" আকৌ দেখেধেকৈ হাঁহিবলৈ ধৰিলে। মজুমদাৰে ভাবিলে 'মুৰ সঁচাকৈ বিকৃত।' "তুমি মোৰা জিৰোৱাপৈ" মজুমদাৰে কলে। "জিবনি! জিবনি আপোনালোকৰ বাবে। আমাৰ য'ত দুবেলা দুমুঠি খাবৰ নাই, আমাৰ বাবে ক'ত জিবণিৰ ঠাই এবিছে? টৌ-টৌ কৰি ফুৰিছোঁ এমুঠি ভাতৰ বাবে, কোনোবাই দিছে? আমাক নিন্দাৰ, গৰিহনাৰ, উপেক্ষাৰ চকুৰে চাইছে, সমান বুলি কেতিয়াবা এডোখৰ ঠাই এবি দিছে? যেতিয়ালৈকে আপোনালোকে আমাৰ ঘাবাই কিবা কাম হোৱাৰ আশা দেখিছে, তেতিয়ালৈকে 'বাপা আতা' বুলি কামত লগাইছে আৰু যেতিয়াই আপোনালোকৰ স্বাৰ্থ সিদ্ধি হৈছে, সিদিনাই আমাক সামান্য মাটিৰ দৰি এটাৰ দৰে হেলাবঙ্গে ভবিবে মোহাৰি পেলাইছে।" মজুমদাৰে গহীনাই কলে—"এইবোৰ তোমালোকৰ কাল্পনিক চৰহপা শিৰ, ইয়াত কচিয়াৰ ৰাজবংশৰ আভিজাত্য নাই, তোমালোকক ভবিবে গচকি মাটিৰ সমান কৰি বখা প্ৰভুৰ কাবো নাই, খুট খাৰ পাৰিবলে সকলোৱে জীয়াই থাকিব পাৰে, অলপ বুদ্ধি বৃত্তি থাকিলে সকলোৱে প্ৰায় আহি সমান আসন পাব পাৰে।" "আপোনাৰ মুখত অৱশ্যে এইবোৰ কথা শোভা পায়, কাৰণ আপুনি বোধ হয় এতিয়া মাহে বাৰ শ'কৈ পায়, উন্নতি হঁবৰ আৰু আশা আছে, আৰু মোৰ হাতত তিনি পইছা মাত্ৰ সম্বল, দুদিন গৈ ভবাই ভাত খোৱা নাই, তাতে আপোনাৰ চোৱাচোৱা সেনানী সকলৰ অত্যাচাৰ। সেই কাৰণেই মই আপোনাৰ লগত আহিছোঁ।" "তুমি তোমাৰ দুৰ্ব্বত্তি ব্যৱহাৰ এবি দিলেই হয়।" "বিমান ডাঙৰ শব্দ কৈছে!" "তোমাৰ কথাৰ অলপ proportion নাথাকে কিয়?" "সাহস বাখি কথা কোৱাৰ দিন উকলি গৈছে। আপোনালোকৰ মুহু মলয়াৰ ছাতি আমাৰ গাত নাই। গোটেইটো অন্ধ সংসাৰৰ কঠোৰতাত শুকাই চিবাচিৰ হৈছে। এতিয়া আমাৰ চমুনিয়াহো আপোনালোকৰ ধুমুহাৰ সৌতত বয়।" "শিৰ, তোমাক খাটিছোঁ, তুমি অলপ খোৱা, মোক শান্তিত এৰা।" "আপুনি আজি মোক দুঘণ্টা লগ পালে যদি মনে অতিষ্ঠ হয়, যিবোৰ মানুহে মোক সদায় পাই থাকে, তেওঁলোকে দেখিছোঁ আত্মহত্যা কৰিব লাগিব।" "মোক ক্ষমা কৰিবা শিৰ, তোমাৰে এটা গভীৰ দুখেই হয়, কিন্তু কোনধিনিত তোমাৰ ব্যথা তাকে বুজিব নোৱাৰিবোঁ।" "সেইটো চেষ্টা নকৰিব। সহানুভূতি মই বেয়া পাওঁ, মোক নিৰ্দ্দয় ব্যৱহাৰ কৰক, মোৰ বৰ সুন্দৰকৈ সহ্য হয়।" "সঁচাকৈ কোৱাচোন শিৰ, তোমাৰ ইমান অশান্তি কিহত?" "জীৱন আৰম্ভ কৰাত।" "বিশ্বাস কৰিবা, তোমাৰ প্ৰতি অলপ দয়া চাপেঁ"—"ভুল বুজিছে, দয়াই ভাল কৰিব পৰা অৱস্থা মোৰ নাই, নৰিয়া পুনঠ হৈছে।" মজুমদাৰে কথা সুৰ সলাবলৈ কলে—"প্ৰকৃতিৰ সৌন্দৰ্য্যত তোমাৰ অলপো

ভাল নালাগে?" "ভাল কৈছে, প্ৰকৃতিৰ জানো সৌন্দৰ্য্য আছে? এনে নিষ্ঠুৰতা ক'তো নাই। প্ৰকৃতিৰ সৌন্দৰ্য্য উপাসনা কৰিবলৈ গৈয়ে আজি আপুনি মোক অভদ্ৰ হোৱা, বলিয়া হোৱা বুলি অছমান কৰিবলৈ সুবিধা পাইছে। প্ৰকৃতিৰ ধৰ্ম্ম অসম্মানে আজি মোৰ প্ৰাণকণ্ঠাগত কৰিছে। আপুনি শুনিব? ই যে পাগলৰ প্ৰলাপ হব।" "বাক কোৱাচোন।" "আপোনাৰ সহানুভূতিত মই বেয়া পাইছোঁ, মোৰ একান্ত ইচ্ছা আছিল, আপোনাৰ খং জোনাই আপোনাৰ গালিত নিজে উন্মত্ত হোৱাৰ ভাও ধুই আপোনাক হত্যা কৰাৰ। ভুল হব,—আপুনি ভাল মানুহ—কিন্তু এনে এটা ভুল আকাশতো ক'তবাত হয় আৰু সেয়ে চাৰিওফালে ৰবষুণৰ চিটিকনিৰ দৰে বিন্ধি পৰে। মোৰ বিদ্রোহ নাই, এটা ঘৃণা,—কাৰো প্ৰণৰত নহয়, অপচ সকলোৱে ওপৰত। মোৰ প্ৰতি অন্যায় কৰা হৈছে, অন্ততঃ মই ভাবোঁ।" "কাল্পনিক অন্যায় ভাবে তোমালোকক উতলা কৰা অন্যায়।" "কাল্পনিক নহয়, হাতেৰে চুকি পোৱা সত্য। এদিন,—এদিন, (গৌৰনৰ কোনোবা বাসন্তী লগনত' এজনী ছোৱালীক মৰমৰ চকুৰে চাবলৈ শিকিছিলোঁ; মৰম, —অন্তৰৰ তেজ-সনা মৰম, কল্পনাৰ বহল সনা নহয়। তেৱোঁ মোক মৰম কৰিছিল, মোৰ প্ৰত্যেক কামৰ লগত সহানুভূতি দেখুৱাইছিল, জীৱনত কোন বাটেৰে গলে কিমান দূৰ আগ বাঢ়িব পাৰিম, সকলো আলোচনা কৰিছিল,—কি মৰম সক সৰুই অন্তৰ খনিত! পুকুৰৰ ৰাৰ্য্য ফেজ, ভবিষ্যতৰ ৰণভূমি, তেওঁলোকে ঘৰৰ ভিতৰত মোমাই থাকিবে কেনেকৈ জানে! মই তৰপ লাগি মুখৰ কাল চাই থাকিছিলোঁ। হাঁহি কয় 'তেনেকৈয়ো চাবনে?' বৰ্ণনা নকৰোঁ, আপুনি ভাল নাপাব, মোৰ মাতৰ কণ্ঠোৰতাই সেই মিহি সুৰৰ প্ৰতিধ্বনি তুলিব নোৱাবে।" "তোমালোকে ডেকাবোৰে নাচাই নিচিন্তি…" "উপদেশ নাগাণে, যদি শুনিব কওক, যদি শুনে নামাতিব। আমি ভাল পাইছিলোঁ। চিঠি লেখা, ইয়ুনিয়াহ কঢ়া বিৰৰ আকৰ্ষণ আমাৰ নাছিল, আমাৰ ৰাবণা আছিল—We have met, we will continue to meet। নহ'ল, তেওঁৰ অভিভাৱকে ইচ্ছা কৰে যে হয় মই শিক্ষা কৰি অলপ পণ্ডিত হব লাগে, নহলে কোনোবা বিদ্বানলৈ তেওঁক দিব। যথাযোগ্য প্ৰস্তাৱ। মই নপঢ়িলোঁ,—পঢ়িব খুজিছিলোঁ, নোৱাৰিলোঁ, প্ৰত্যেক কামতে একেটা মুখ, প্ৰত্যেক ভাবনাতে একেজনাৰ চিন্তা, এনেত জানো পঢ়া হয়? মই তেওঁক লগ ধৰিবলৈ লাজ কৰিলোঁ, তেওঁ কিন্তু অতি আগ্ৰহেৰে পঢ়িবলৈ ধৰিলে, মোৰ অযোগ্যতা সত্ত্বেও তেওঁক নিজৰ বুলিবলৈ নেৰিলোঁ। জগতে কিন্তু দেখিলে মই এটা চাকনৈয়াত ঘুৰি থাকিলোঁ আৰু তেওঁ ললিত গতিত আগবাঢ়ি গৈছে। বৰ আত্মগ্লানি হ'ল। সন্দেহ হ'ল যে তেওঁক আৰু মই কামত নাপাম। কিন্তু তেওঁৰ অবিহনে যে জীৱন পঙ্গু হব! এই ভয়াবহ অৱস্থাৰ কথা মই জানিছিলোঁ, লোকে নাজানিছিল। এদিন তেওঁৰ মুখলৈ চাই হাঁহিব লেখ এটাও নেদেখিলোঁ, ভাবিলোঁ, এয়ে মোৰ মৰণৰ সঙ্কেত। মনতে ভাবিলোঁ 'ধৰত বহি মৰোঁ কিয়, দেশৰ নামত মৰোঁ, মাটাঁৰ লিষ্টত নাম লেখাই মৰোঁ।' দেশৰ নামত লুটিয়াৰ হলোঁ, বহুত শান্ত ঘৰত কান্দোনৰ বোল তুলিলোঁ,—হিয়াৰ কোমলতা পুৰি ছাই কৰিলোঁ। দেশ ভূমি মোৰ অপৰশ হ'ল, আৰু হওক,—অপৰশ কালিমাৰ মাজত লুকাই থাকোঁ, এনে অভিকচি হ'ল।" তেওঁৰ মুখত এটা নিমিষৰ বাবে ডাঠ আবৰণে দেখা দিলে, তাৰ পিছতে আকৌ কৰলৈ ধৰিলে—"নাই,—তাতো মোৰ শান্তি নহ'ল। এদিন ঘটনাক্ৰমে মোৰ আগৰ সেই লগৰীৰ লগত কথা হ'ল,—তেওঁ কলে—'এনে জীৱনতো তুমি কল্পনা কৰা নাছিলা!' মই তেওঁক ভাঙ্গি কৰ নোৱাৰিলোঁ যে তেওঁ ওচৰত নাথাকিলে মোৰ অন্তৰত বল নাথাকে। ভাবিছিলোঁ ক'ম—তাৰ আগতে তেওঁ আতৰি গ'ল। উমাই উমাই এই কথাবাবে মোক বিদ্রোহী কৰিলে, কিন্তু লুটিয়াৰৰ দলবপৰা ওলাব নোৱাৰোঁ, গাৰ ছাঁই শত্ৰু হ'ল—মোৰ সঙ্গীসকলৰ প্ৰত্যেকেই সন্দেহ কৰে যে মই আপোনালোকৰ ফালৰ পৰা ভেঁট পাইছোঁ, কাৰণ আগৰ দৰে মোৰ কামত আগ্ৰহ নেদেখে। আপোনালোকে আগে পাছে মানুহ লগালে

মোক বিচাৰি উলিয়াবলৈ। আপুনি নহয়, আপোনাৰ বিভাগৰ মানুহে। মই ভেশচন কৰিবলৈ বাধ্য হলোঁ, লোকৰ এটি মৰা শ মোৰ শ বুলি পুৰিবলৈ দি মই অদৃশ্য হলোঁ। তাৰ বিষময় ফল তেতিয়া অনুমান কৰিব পৰা নাছিলোঁ। লোকক ঠগিবলৈ গৈ নিজক ঠগিলোঁ, মোৰ হৃদয়ৰ মণি হেৰুৱালোঁ।" ওলাই অহা হুমুনিয়াহ এটি ঢাকি ৰাখি কবলৈ ধৰিলে—"তেওঁ মোক বিচাৰি অকুল সাগৰত বুৰ দিলে। ময়ো ভাবিলোঁ মৰোঁ, কিন্তু নিজৰ দেশখন ভালকৈ চাই মৰিবৰ মন গ'ল। দেশ আৰু ভাল নালাগিল! চাৰিওফালে সুন্না সুন্না লাগিল, সকলোতকৈ আক্ষেপ ৰ'ল—এদিন তেওঁৰ কাষ চাপি কব নোৱাৰিলোঁ—'তোমাক বৰ ভাল লাগে কমলা।' নহয়, তেনে কথা মুখত কেতিয়াও নোলালহেঁতেন, কলোহেঁতেন—'তুমি যি কবিবলৈ কোৱা, তাকে কবিম।' হে হৃঠল, ভাগ্যৰ বিড়ম্বনা। আগে পাছে অপৰিচিত মানুহ দেখি সন্দেহ হ'ল—চোৰাংচোৰা। ইমান অভদ্ৰ সিহঁত, বাতি দুপৰতো মোক মাতি তোলে। আপুনি সিহঁতৰ মুৰী, মই ভাবিলোঁ আপোনাক নাবি মৰোঁ।" মজুমদাৰে কথাত মনোযোগ নিদি ইমান পৰ তেওঁ কিবা ভাবি আছিল, হঠাৎ এওঁ বৈ যোৱাত তেওঁ কলে—"তুমি তেনেহলে শিৱ নোহোৱা, সঁচা নাম কোৱাচোন, তুমি নাৰায়ণ?"

এই বুলি কৈয়ে তেওঁ বুকৰ মোনাত হাত সুমালে, কিন্তু কিবা যেন নাপাই অলপ বিৰক্ত হ'ল। ডেকাজনে তেওঁৰ ভাব লক্ষ্য কৰি কলে—"ভইলে বিচাৰিছে নেকি? ৰাক মাতিব লাগে মোকেই কওক। নে বিভলভাৰ বিচাৰিছে? আজি আপুনি মোৰ ইমান ওচৰত যে পিস্তলেৰে জবাব দিবৰ মন থকা হলে কেতিয়াবাই আপোনাৰ বুকৰ তেজেৰে চেলেঞ্জ বাঙলি কবি দিলোহেঁতেন।" এই বুলি কৈ তেওঁ জাহাজৰ আগৰ বেলিঙৰ কাঠত টানকৈ ধবিলে—তেওঁৰ মুখৰ চেহেৰা বৰ বিবর্ণ হৈছে। উত্তেজিত ভাবে কবলৈ ধবিলে—"কল্পিত চিত্ৰ নহয়, চকুৰ আগত প্ৰত্যক্ষ দেখিছোঁ, নিজ হাতে,—নিজ হাতে বাল-বিধৱা ছত্তা কবিছোঁ, গুলি খাই সাপৰ দৰে মেৰা-মেৰি কবিছিল—মই চাবি কাচি আনিছিলোঁ, মই যে তেতিয়া ডকাইত! আপোনাক মবা কি কথা!" "ৰাক শিৰ, বোধ হয় তুমি নাৰায়ণ, ব্ৰজ চৌধাৰীৰ ল'ৰা?" "এই অভ্ৰান্ত পৰিচয় কিন্তু,—মই যেয়ে নহওঁ, মোৰ জীৱনৰ ব্যৰ্থতাই মোৰ বিশ্বাস, মানুহক শিলত পৰিণত কবিব।" "তেনেহলে তুমি মোৰ মাহীদেউৰ—" মজুমদাৰে শেষ কবিবলৈ নৌপাওঁতেই—"কৰ্ত্তব্যই আপোনাক মহান কবক, ব্যক্তিগত সম্বন্ধ হীন কথা। এই নিয়ক মোৰ অস্ত্ৰ, আৰু যদি ইয়াৰ পৰা কিবা আপোনাৰ উন্নতি হয়—"এই বুলি কৈয়ে ডেকাজনে মোনা এখন ঠনাৰ্‌কৈ ডেকত পেলাই দিলে আৰু সেই মুহূর্ত্ততে পানীত কিবা এটা ধুপুচ্‌কৈ পৰিল। মজুমদাৰে চিঞৰ মাৰি উঠিল,—জাহাজৰ যাত্ৰী সকলে আহি জাহাজৰ আগৰ ফালে ভৰ খালে—ডেকাজনৰ আৰু একো চিন চাব নাপালে। মজুমদাৰে বিমর্ষ হৈ মোনা তুলি ললে, তাত বেলজিয়মত তৈয়াৰি বিভলভাৰ এটা আৰু কার্টিজ চাবিটা আছিল। তেওঁ সেইবোৰ বান্ধি কুন্ধি বাকচত ভৰালে। ডেকাজনৰ বিছনাৰ কাপোৰ বন্ধাই লেবেল লগালে। জাহাজৰ যাত্ৰী সকল লাহে লাহে নীৰৱ হ'ল, কিন্তু মজুমদাৰে বিছনাত বাগৰতে সলাইছে, টোপনি নাহে—কেৱল ভাবিছে—"ল'ৰা জনৰ বোধ হয় চিন্তা প্ৰণালীয়েই ভুল।"

পাষাণ-প্রতিমা

—কবিতা

—শ্রীযুত শৈলধৰ ৰাজখোৱা বি-এ

[ৰংপুৰৰ অন্তর্গত বগৰিবাৰী মৌজাৰ পশ্চিম কোণত মানাহ আৰু ব্ৰহ্মপুত্ৰৰ সংগমে থাকত বুঢ়ীবিখ্যাত হাদিয়া চকি। সেই ঠাইত মানাহৰ পাৰত চলতা নামেৰে আৰু ব্ৰহ্মপুত্ৰৰ পাৰত ফুলবা নামেৰে দুটি ডাঙৰাডাঙি অকলশৰীয়া ক্ষুদ্ৰ পাহাৰ। অলপ নিলগত বাগৰৰ মাজেৰে আৰু এটি অকলশৰীয়া পাহাৰ। এই তিনটি পাহাৰৰ মাজত মাটিয়ে ঘেৰি থকা চন্দ্রকান্ত শিলেই মানৱ লগত শেষবাৰ ফেৰ পাতি ৰখা ঘাটি ৰণভূমি উদ্ধাৰৰ আশা চিৰকালেই বিসৰ্জন দি ডকাইতি ৰাজ দৈ। (পুনৰীয় ৰবৰেণ ডাৰ্ৰবাৰ "মনোমতী" চাওক।) পাষাণ-প্রতিমা ফুলবা-চতলা দুটি শাপভ্রষ্টা দেৱকন্যা যেন সেই ঘটনাৰ সাক্ষী ৰখলে বিবাজ কবিছে।]

(১)

উঠাহে চলতা, উঠাহে চতলা, উঠা দেৱবালা বৰুণ ধৰি,
পূৰ্ব হ'ল আজি পঞ্চক বছৰ আৰু কত কাল থাকিবা পৰি ?
কোন সবাধৰ পাবিজাত ফুল,
কাননো শাপত হেৰুৱালা কুল,
চিৰ অচেতন ফুলবা চতলা, পাষাণ-প্রতিমা আপোন ভুলি,
নিদুই হুবেনে নিজান খনত চিৰ বিষাদৰ বাৰিণী ঢুলি ?

(২)

হুলু হুলু কবি বইছে লুইত ফুলবা তোমাৰ চৰণ ধুই,
সতী পৰশত উষ্ণ-মাখল তিনিওকাষবে আবৰি লই।
মানাহৰ সউ বালিৰ কাঁঠত,
ৰূপহী চতলা নিজান বনত,—
নিচেই কাষতে সহিব নোৱাৰি ডেকা মানাহৰ লুইতী চন্দ্ৰ,
লাজত বাঙলী স্নায়ল সাজেৰে ঢাকিলে চতলা উঠন মুদ্ৰ।

(৩)

ভগ্নযোগী সউ গিৰি বাগৰৰ বহিছে ধ্যানত নবাহ মন,
সমুখত দুটি ৰূপহী কুমাৰী চাবিওকাষবে নিজান বন !
কাকনো দুমিম, কামিনী পাশত
অজীয়া শিৰত পৰিল পাকত।

ঊঠা যোগীবৰ বীণখনি বাই তবোৱা পুৰণি পাহৰা কথা,
যুগে যুগে যত অতীত কাহিনী সকলো তোমাৰ মনতে গঁথা।

(৪)

সেইদিনা দুটি অমৰ-কুমাৰী ফুলবা-চতলা কিশোৰী বালা,
বুঢ়া দুইতৰ ৰূপালী বালিত নগন বনৰ পাতিলে খেলা।
নিজলে নিজলে হাৰিয়া চকিত,
অনমৰ শেষ স্বাধীন পৰিত,—
অসমৰ শেষ স্বাধীনতা হেতু চন্দ্রকান্ত শিলেই পাতিলে খেলা,
বেৰবালা যোলে চাওঁ আজি আমি অসম বীৰৰ তাণ্ডৱ লীলা।

(৫)

সিদিনা পুৱাতে চকুপানী টুকি উদিলে পুবত বাঙলী বেলি,
শৰে তবোৱাল শিখ, অদমীয়া, মোগল, পাঠান সকলো মিলি।
সহস্র সহস্র পিশাচ মান,
এমুঠি শিখ, এমুঠি পাঠান,
এমুঠি মোগল, কামৰূপী বীৰ, ঘিয়া অৱশেষ অসম সেনা,
অচল-অটল শেষবাৰলই,—পাণেহি সমুখ মানৰ সেনা।

(৬)

শুকম শুকম ফুটিছে কামান, উঠিছে পৰিছে সহস্র অসি,
নাচ্‌ ভালে ভালে ডাকিনী যোগিনী, তেজেৰে বাঙলী অখান পখি।
কোন কেনি আহ আজি শেষবাৰ,
চাই যা মেমালি অসম বীৰৰ,—
মৰিও নমৰে, গথিও নপৰে, বান-তৰাৰক্ত-চুকাফা জাত !
গৃহ বিবাহত অলা-কলা আজি, নহলে কোনেনো দিহেহি হাত ?

(৭)

মতলীয়া আজি কামৰূপী বীৰ, মতলীয়া শিখ মোগল-পাঠান,
মৃত্যুক হৃৎবি সমুখ খত থুকুচি থুকুচি কাটিলে মান।
বীৰ চৈতন্যৰ ভীম তবোৱাল,
তেজেৰে বান্ধিলে হাতত কঁবাল,—

চমকে কৃপাণ, যহি পবে শিব, হেখিলে ফুলবা কাঁযতে বই,
দুহাতে নাশিলে দানব-পিশাচ, তথাপি মানব নহ'লে ক্ষয়।

(৮)

চতলা কাযত কামরূপী বীব, উন্নত শিব অক্ষয় অজয়,
অসম-গৌবব বীব কৃষ্ণবামে তেজেবে বোরালে বাঙ্গলী নই।
দুয়ো বাই ডনী ফুলবা চতলা,
যতবে গাঁথিলে কুসুমব মালা,—
দেবরালা বুজে বীবব আবব,—মনে মনে দুয়ো দুয়োকো নমি,
ফুলবা বৰিলে বীব চৈতন্যক, চতলা বৰিলে কৃষ্ণক স্বামী।

(৯)

মৃত্যু-বিজয়ী মোগল-পাঠাব, শিখ কামরূপী, আহোম বীব,
বেখে দেবরালা ফুলবা-চতলা, একে একে সবে শোধালে শিব!
অতশেবে দুয়ো বীব সেনাপতি,
অসমব শেষ স্বাধীন নৃপতি,—
অসমব শেষ স্বাধীনতা সহ ভটিয়াই মেলিলে বরাব নাও।
দুয়ো সেনাপতি আলচি বুলিলে, 'সমুখ বগত আমিও যাওঁ।'

(১০)

'সাক্ষী হ'ক দুয়ো অসম-কুমাবী বীবধর্ম্ম লাগি আহিলো আমি।'
বুলিলে ফুলবা, বুলিলে চতলা,—'তোমাকে অপেক্ষি থাকিম স্বামী।'
'কি কলা কি কলা, সপোন বাণী!
মৃত্যু-মুখাক বুলিলা স্বামী?'

বোলে দেবরালা, 'বীব-স্বামী মোব, বীব বিনে আনে বমণী মোব,
নোৱাবে বুজিব, ববিলোঁ তোমাক, কবা নাই প্রিয় অকণো ভুল।'

(১১)

দুইত পাখী তেজেবে বাঙ্গলী, দুয়ো মহাবীবে কবিলে প্রাণ,
শোভিলে শিবত ববণব মালা,- এনেতে পালেহি পিশাচ মান।
মিলিকি উঠিল সহস্র অসি,
সতী-সমুখত পতিক নাশি,
চাপি আহে মান, মাৰ যায় বেলি ফুলবা-চতলা থাকিলে চাই—
পাপীব দৃষ্টিত ত্রিদিব-বাসিনী চাওঁতে চাওঁতে পামবী হই!

(১২)

সিন্ধিনাবে পবা ফুলবা-চতলা শিলামযী দুটি অমব বালা,
নিবলে বিবাজে নিজান গলত পাহবি সকলো কিশোবী বেলা।
চকুব পানীবে পথ দেখেবিলোঁ,
দুজনে বচন কতনো মাতিলোঁ—
উঠাহে ফুলবা, উঠাহে চতলা, উঠা দেবরালা স্বকপ ধবি,
পূর্ণ হ'ল আজি শতেক বছব আৰু কত কাল থাকিবা পবি?

(১৩)

থিবিলে শুনালে অতীত কাহিনী, দুইতে শুনালে পাহবা সুব,
যিমিনা এবিলে শিবব মুকুট বীব প্রসবিনী অসমে মোব।
নিজান নিতাল শ্মশানত পবি,
সাথী ক'ল দুটি অমব-কুমাবী,
সাথী ক'ল এটি সোণোৱালী তবা নীল আকাশব পুবালি কোণত,
বাজি উঠে এটি বিযাবব সুব চিব চেনেহব জননী প্রাণত।

অসমত উপন্যাসব সঁজুলি

— শ্রীযুত বজনীকান্ত ববদলৈ

[এই প্রবন্ধটো কটন কলেজব এ, এচ, এল ক্লাবত ১৩।১১।৩১ তাবিখে পঢ়া হৈছিল। লিঃ]

অসমত উপন্যাসব সঁজুলি আছেনে নাই, আৰু থাকিলে কেনেকুবা বিধব সঁজুলি আছে এই বিষয়ে আলোচনা কবাব আগেয়ে দেখা যাওক উপন্যাস বস্তুটোনো কি, ইযাব অঙ্গ প্রত্যঙ্গই বা কি, উদ্দেশ্য বা কি, লক্ষ্যই বা কি?

আমাব ৺হেমচন্দ্র বৰুৱাব অভিধান মতে "উপন্যাস" মানে "এটা সাজি উলিওৱা উপাখ্যান বা মিছা সাধুকথা।"

উপন্যাসব এইটো অর্থ হলে উপন্যাস বোলা বস্তুটো আদবব বা স্পৃহাব বস্তু নহ'লহেঁতেন। দবাচলতে কোনো কোনো বৈজ্ঞানিক, প্রয়তাত্ত্বিক, বৈয়াকবণিক আৰু ব্যবসাযীয়ে উপন্যাস পঢ়া কামটোক মিছাতে সময় নষ্ট কবা বুলি ভাবি উপন্যাস পবা গণ্ডত নপঢ়ে। কিন্তু আজি কালিব দিনত, কল্পনাব বহেবে সজি উলিওৱা উপাখ্যান বা সাধু কথা হলেও, উপন্যাস বোলা বস্তুটোক, বিশেষকৈ, ওখ খাপব উপন্যাস বিলাকক প্রায় সকলোবে আগ্রহেবে পঢ়ে। বেলেদি বা জাহাজেদি দূব ঠাইলৈ যাব লগীয়া হলে বেল বা জাহাজত থকা সময় ছেবা কটাবলৈ বহুতে উপন্যাসব আশ্রয় লয়। উপাদেয় সাহিত্যবো সৃষ্টি কবে উপন্যাসে। সমাজব গ্লানি আৰু তাব আনুষঙ্গীয় সংস্কাবব বাট দেখুৱায় উপন্যাসে। বিশেষ কোনো এটা ধর্ম্মব ভাব, নীতিব ভাব, দেশ হিতৈষিতাব ভাব প্রচাব কবাব বর্ত্তমান যুগব আলম হৈছে উপন্যাস বোলা বস্তুটো। সজ শিক্ষা, নীতিশিক্ষা ইত্যাদিও দিব পবা যায় ভাল উপন্যাসেবে। বচনা চাতুর্য্য, বচনাত শিল্প কৌশল, চবিত্র বর্ণনা দেখুৱাব পবা যায় উপন্যাসেদি। এই বিলাক কাবণত উপন্যাস বোলা

বস্তুটোক ইংবাজ আভিধানিক চেম্বার্স চাহাবে ব্যাখ্যা দিছে এই দবে—' A fictitious prose narrative or tale presenting a picture of real life especially of the emotional crises in the life history of men and women portrayed" অর্থাৎ 'উপন্যাস' মানে এটা কাল্পনিক গদ্য বর্ণনা বা সাধুকথা—য'ত জীবনব বাস্তব ঘটনাব ছবি আঁকা হয়, য'ত উল্লেখ কবা স্ত্রী আৰু পুৰুষব জীবনব সন্ধিক্ষণত মনব উত্তেজনাবিলাক গদ্য ভাষাবে আঁকি এটা পবিণামত উপনীত কবা হয়; আৰু সেই পবিণামব পবা নীতিব বা ধর্ম্মব উপদেশ পাব পবা যায় অথবা শিল্প চাতুর্য্যব বস এটা সম্ভোগ কবিব পবা যায়।

উপন্যাসক নানা শ্রেণীত বিভাগ কবা যায়— যেনে (১) বুবঞ্জীমূলক উপন্যাস (২) বর্ত্তমান সময়ব সামাজিক উপন্যাস (৩) ধর্ম্ম বিষয়ব উপন্যাস (৪) চোব ডকাইত ধবা উপন্যাস (৫) হিষ্টৰিনাটিক আৰু বুবঞ্জীমূলক মেচমেবিক উপন্যাস। অতীতব বাস্তব ঘটনা বিলাকব অর্থাৎ বুবঞ্জীব আলম লৈ উপন্যাস সৃষ্টি কবিব পাবি আৰু পবিণামত কিহব পবা কি হ'ল এইটো জানিব পাবি আৰু বহুত উপদেশো পাব পাবি। এই শ্রেণীব উপন্যাসক বুবঞ্জীমূলক উপন্যাস বোলে। বুবঞ্জীমূলক উপন্যাসে অতীতব পাহবি যোৱা অনেক দাবা-দস্তব, জাতীয় জীবনব আহি মনত পেলাই দিয়ে। সেইবিলাকব পবা আমি পুবণি কালব অনেক কথা বহুবা জানি বর্ত্তমান যুগত আমাব জীবন সজপথত নিয়ন্ত্রিত কবিবলৈ শিক্ষা পাব পাবোঁ।

বর্ত্তমান সময়ব সামাজিক ঘটনা বিলাকব আলম লৈ লিখা উপন্যাসে কোনো সমাজব গ্লানি দেখুৱাই, সেই গ্লানি

বৰ্তমান সময়ৰ উপন্যাস

দূৰ কৰিবলৈ পথৰ ইঙ্গিত কৰিব পাৰে, অথবা বৰ্তমান বাট এৰি আন বাটে গলে যে বিঘ্ন ঘটিব পাৰে, সেই বিষয়টো দেখুৱাই সমাজৰ মানুহক সতৰ্ক কৰিব পাৰে।

ধৰ্ম্ম-উপন্যাস

কোনো এটা বিশেষ ধৰ্ম্ম প্ৰকাশ কৰিবলৈ, অথবা কোনো এটা ধৰ্ম্মৰ উৎকৰ্ষ দেখুৱাবলৈকো উপন্যাস লিখা হয়। এই বিধৰ উপন্যাসক ধৰ্ম্মবিষয়ক উপন্যাস বোলে।

ডিটেক্‌টিভ উপন্যাস

চোৰ, ডকাইত, খুনী, হত্যাকাৰী, ইত্যাদি অপৰাধৰ অপৰাধীক ৰৱ পৰিশ্ৰম কৰি নিপুণ পুলিছ কৰ্ম্মচাৰীয়ে ধৰা বিষয়ৰ এবিধ উপন্যাস আছে; ইয়াক ইংৰাজীত ডিটেক্‌টিভ উপন্যাস বোলে।

হিপ্‌নটিজম্ (সম্মোহন) আৰু মেচমেৰিজম (বশীকৰণ) খটাই লিখা এবিধ উপন্যাস আছে। এই বিধ উপন্যাসত অসৎ মানুহে এই দুটা বিদ্যাৰে উপন্যাসৰ নায়ক নায়িকাৰ সৰ্ব্বনাশ কৰিবলৈ বিচাৰে। কিন্তু শেষত ধৰ্ম্মৰে জয় হয়গৈ, এনেকুৱা মন্তব্য বা ঘটনা দি সামৰণি মাৰে।

হিপ্‌নটিক আৰু মেচমেৰিক উপন্যাস

লেখাৰ ভাৱৰ পৰা, ঘটনাৰ বৰ্ণনাৰ পৰা উপন্যাস মূল দুটা ভাগত ভগাব পাৰি—যেনে Realistic অৰ্থাৎ প্ৰকৃত ঘটনাৰ আলম লৈ লিখা (২) Imaginary বা কাল্পনিক অৰ্থাৎ কল্পনা কৰি লোৱা ঘটনাৰ আলম লৈ লিখা।

বাস্তৱ ঘটনাৰ আলম লৈ লিখা উপন্যাসেই আজিকালি সৰহ আৰু এই বিধৰ উপন্যাস লেখিবলৈ বিশেষ প্ৰতিভাৰ আৱশ্যক নকৰে। বুদ্ধি খটাই ঘটনাৰ সমাবেশ কৰি শিল্প চাতুৰ্য্য দেখুৱাই এটা নীতি বা ধৰম, বা সমাজৰ গ্লানি ইত্যাদি দেখুৱাব পাৰিলেই হয়।

বাস্তৱ ঘটনাৰ উপন্যাস

কাল্পনিক উপন্যাস লেখি সেই উপন্যাসক উপাদেয় কৰিবলৈ হলে বিশেষ প্ৰতিভাৰ আৱশ্যক হয় যেন লাগে। "ভ্ৰমৰদূত"ৰ নিচিনা আৰু "মাজ জহকালিৰ সপোন"ৰ নিচিনা সাধুকথাত মহাকবি চেক্‌চ-পিয়াৰৰ নিচিনা আৰু কাদম্বৰীৰ উপাখ্যান-টোত বাণভট্টৰ নিচিনা, শকুন্তলাৰ নিচিনা গল্পটোত কালিদাসৰ নিচিনা প্ৰতিভাশালী হব লাগিব। নহলে তেনেকুৱা ওখ বিধৰ কাল্পনিক উপাখ্যান লিখা সহজ নহয়।

কাল্পনিক উপন্যাস

উপন্যাসৰ অঙ্গ

উপন্যাসৰ প্ৰধান অঙ্গ হৈছে প্ৰেম। সাধাৰণতঃ এখন মতা আৰু এজনী মাইকীৰ ভিতৰত এই প্ৰেম লীলা বা বিকাশ, আৰু তাৰ পৰিণাম দেখুৱাটোৱেই উপন্যাসৰ উদ্দেশ্য। এই মতা মাইকী হাল্ক "নায়ক-নায়িকা" বোলে। আখ্যানটোৰ ভিতৰত আন আন মতা মাইকীৰ কাহিনী থাকিলেও, সেই কাহিনী বিলাকে এই নায়ক নায়িকাৰ প্ৰেম বিকাশত, প্ৰেম লীলাত, পৰিণামত সহায় মাথোন কৰে। প্ৰেম বস্তুটে হৈছে ঐশ্বৰিক। প্ৰেমেই এই সৃষ্টিৰ বিকাশ কৰিয়ে, বক্ষা কৰিছে, আৰু ধ্বংসৰ পথলৈকো নিব লাগিছে। কবিয়ে আবহমান কালবে পৰা বৰ্ণনা কৰিছে যে ইশ্বৰে প্ৰেমেৰেহে এই পৃথিবী গঢ়িলে। অণু পৰমাণুৰ পি সংযোগ-বিয়োগ হে সৃষ্টি হৈছে আৰু লয়ও পাই আছে এই সমস্তই ঈশ্বৰৰ হেনো প্ৰেমৰহে লীলা। আকাশত চন্দ্ৰচোৰে প্ৰেমত বলিয়া হৈ হেনো সাগৰৰ পানী টানি সাগৰত হেলোলনি, ঢৌ, জোঁয়াৰ-ভাটা তোলে। বতাহ জুৰ জুৰ কৈ বৈ প্ৰেমেৰে সকলো প্ৰাণীকে আলিঙ্গন কৰে। সূৰ্য্যৰ বশিয়ে প্ৰেমেৰেহে হেনো মাটিৰ বস পানী টানি নি আকাশত মেঘৰ সৃষ্টি কৰে। বায়ুৰে প্ৰেমেৰ সেই মেঘ চলাচল কৰি পৃথিবীত শীতল পানী বৰ্ষণ কৰি উদ্ভিদ, জীৱ-জন্তু সকলোকে জীয়াই বাখে।

অদ্বৈতবাদ মতে, আমাৰ অসমৰ ভকতীয়া গুৰু মতে, পৃথিবীৰ যত বস্তু—তৃণ, তৰু, লতা, জীৱ, জন্তু—সকলোৱেই সেই এক ঈশ্বৰৰহে অংশ, সেই দেখি তৰু, লতা, তৃণ, জীৱ, জন্তু ইত্যাদিয়ে বি আচৰণ কৰে সেই সমস্ত ঈশ্বৰৰ হে লীলা। সেই দেখি মহা-মাইকীৰ ভিতৰত উপজাসত বৰ্ণনা কৰা নায়ক-নায়িকাৰ বি প্ৰেমৰ লীলা হয়, সিও ঐশ্বৰিকেহে; নদীয়ে নিজৰ মনৰ হেপাহেৰে সাগৰ-সঙ্গমত মিলিবলৈ বৈ যায়। ভক্তৰানক পাৰলৈ আকুল হৈ ফুৰে। সেই দৰে সমধৰ্ম্মী মাইকীয়ে সমধৰ্ম্মী পুৰুষে সৈতে মিলিবলৈ ধাউতি কৰে। এই ধাউতিৰ পৰাই প্ৰেমৰ উৎপত্তি, বিকাশ, লীলা, পৰিণতি সমস্তই হয়। হবলে কথা। পুৰুষো সেই ঈশ্বৰৰে এটা সীমাবদ্ধ অংশ, মাইকীও সেই ঈশ্বৰৰে আন এটা সীমাবদ্ধ অংশ। সেই দেখি অন্তস্থা ভেদে, পাৰিপাৰ্শ্বিক ঘটনা ভেদে এটিয়ে আনটিৰ লগ লাগিবলৈ ইচ্ছা কৰে। হেঁতে এই ইচ্ছাত পবিত্ৰতা থাকে, সামাজিক নিয়ম ভঙ্গ নহয়, ত'তে এই প্ৰেমে নায়ক-নায়িকাক হাজাৰ বিঘিনিৰ মাজেদি নিও মিলন ঘটাই ঈশ্বৰৰ ইচ্ছা পৰিপূর্ণ কৰে।

প্ৰেমত পাপ প্ৰবৃত্তি থাকিলে তাৰ পৰিণাম বেয়া পাপ প্ৰেম হয়। পবিত্ৰ প্ৰেমতো বাধা বিঘিনি পালে, আৰু প্ৰেমৰ সাফল্য নাপালে নায়ক নায়িকাৰ এজনৰ বা দুয়োজনৰে পৰিণাম বেয়া হয়। কেৱে এই বেয়া পৰিণাম প্ৰেম সাফল্য সহিব নোৱাৰি হয় পাপী হয়, নহয় আত্মহত্যা আৰ বিফলতাৰ কৰে। কেৱে এই সাংসাৰিক প্ৰেমত ফল নিবাশ হৈ নিজৰ মনক ঈশ্বৰমুখী কবি সংসাৰ-বিবাগী হয়।

নায়ক নায়িকাৰ প্ৰেম যিমান ওখ ধৰণৰ দেখুৱাব পৰা যায়, উপন্যাসো সিমান ভাল হয়। উপন্যাস মনমোহা কৰিবলৈ হলে ঘটনাবিলাকৰ সুন্দৰ সমাবেশ যে লাগিবই তদুপৰি এনেভাবে বৰ্ণনা কৰিব বা সজাব লাগিব যেন সেইবিলাক কি অতীতৰ (বুৰঞ্জীমূলক উপন্যাস) কি বৰ্ত্তমান বাস্তৱ জীৱনেৰে সৈতে, জাতীয় জীৱনেৰে সৈতে, জাতীয় ৰীতি, নীতি, ধৰ্ম্ম, ইত্যাদিৰে সৈতে সুন্দৰকৈ খাপ খাই যায়। বাস্তৱ ঘটনাৰে সৈতে, অথবা জাতীয় ৰীতি নীতিয়ে সৈতে মিলাব নোৱাবিলে আৰু ঘটনাবিলাক মনমোহা ভাৱৰে সজাব নোৱাবিলে উপন্যাসৰ সৌন্দৰ্য্য নোহোৱা হয়। উপন্যাসে পঢ়োতাৰ আমনি লগায়। য'ত জাতীয় জীৱনৰ বাস্তৱ ঘটনাবে সৈতে মিল হয়, আৰু বৰ্চোতাই ঘটনাৰ সমাবেশ কৰোঁতে সুন্দৰ আৰ্ট খটাব জানে অৰ্থাৎ শিল্পকৌশল দেখুৱাব পাৰে, ত'তেই উপন্যাস উপাদেয় হয়। পঢ়িব দৰিলে শেষ নহয় মানে এবিৰব মন নোমোৱা হয়। নিজৰ জাতীয় জীৱনে সৈতে, ৰীতি-নীতিয়ে সৈতে খাপ নাখালে ঘটনাৰ সমাবেশ বিমানেই ভাল হওক উপন্যাস উপাদেয় নহয়। বঙ্গালী বা ইংৰাজৰ আচাৰ নীতি, চৰিত্ৰ এজন অসমীয়া নায়কৰ গাত আঁৰি উপন্যাস লেখিবলৈ গ'লে সি নিশ্চয় বেয়া হব। লিখোঁতাজন হাঁহিয়াতৰ হে পাত্ৰ হব।

অনেকে কয়, উপন্যাসত Thrilling incident অৰ্থাৎ মনক অতিপাতকৈ উত্তেজনা কৰিব পৰা ঘটনা, hair breadth escapes, চুলিৰ সাঁকোবে পাৰ হে ৰক্ষা পৰা ঘটনা, আৰু ঘটনাবিলাক Problematical—অৰ্থাৎ শেষ ফল সহজে ধৰিব নোৱাবা বিধৰ হলেহে হেনো উপন্যাস ভাল হয়।

প্ৰত্যেক বিধ উপন্যাসৰ নিমিত্তেই (বুৰঞ্জীমূলক, সামাজিক, ধৰ্ম্ম, নীতিবিষয়ক, চোৰ ডকাইত ধৰা, হিপ্‌নটিক...) বেলেগ বেলেগ বকমৰ দৃশ্য আৰু ঠাই লাগে। বুৰঞ্জীমূলক উপন্যাসৰ নিমিত্তে, ৰোমান্টিক বা অদ্ভুত কথাৰ উপন্যাসৰ নিমিত্তে আমাৰ অসমৰ পাহাৰ, নৈ, সমথল, বৰ উপযোগী। চাৰ ওৱাল্টাৰ স্কটৰ "Lady of the Lake"ৰ গল্পটোৰ বা কবিতাটোৰ নিমিত্তে স্কটলেণ্ডৰ High land ওখ ঠাই, Low land তল ঠাই, Hills পাহাৰ Dales উপত্যকা আৰু Lake হ্ৰদ বা সবোবৰৰ আৱশ্যক। ৺বঙ্কিম চাটাৰ্জ্জিৰ "কপাল কুণ্ডলা"ৰ নিমিত্তে বঙ্গদেশৰ নৈ, সৈকত ভূমি, সমুদ্ৰতট, গাঙ-ভূঁই ইত্যাদিৰ আৱশ্যক হৈছিল। এই লিখকৰ "দম্ভুৱা দ্ৰোহ" নামৰ উপন্যাসখনৰ নিমিত্তেও পাহাৰ, নৈৰ চাপৰি, গড়া, গাঁও, হাবি ইত্যাদিৰ আৱশ্যক হৈছিল। চোৰ, ডকাইত, খুনী অপৰাধী ধৰা বিষয়ৰ উপন্যাসত কলিকতাৰ নিচিনা, বিলাতৰ নিচিনা, ফ্ৰান্সৰ পেৰি চহৰৰ নিচিনা জনপূৰ্ণবাস্তা, গলিবে পূৰ্ণ ডাঙৰ চহৰৰ (City) আৱশ্যক।

উপন্যাসৰ উদ্দেশ্য

উপন্যাসৰ উদ্দেশ্য ভালেমান। কি বুৰঞ্জীমূলক, কি বৰ্ত্তমান ঘটনামূলক, কিছুমান উপন্যাস একোটা বিশেষ

বিশেষ ধৰ্ম্ম প্ৰচাৰৰ, বিশেষ ধৰ্ম্মৰ গৌৰৱ প্ৰকাশৰ উদ্দেশ্যে লিখা হয়। এই বিষয়ে কেইখনমান জনাজাত উপন্যাসৰ বিশ্লেষণ কৰি দেখুৱালে বোধ কৰোঁ কথাটো বিশদ হব। লৰ্ড লিটনৰ "Last Days of Pompei" নামৰ উপন্যাসখনত লিখকে দেখুৱাইছে যে যেতিয়া পম্পে নগৰৰ মানুহবিলাক বৰকৈ সমৃদ্ধিশালী হৈ উঠিল, তেতিয়া তাৰ মানুহবিলাক অত্যন্ত পাপী আৰু নিষ্ঠুৰ হৈছিল। সেই সময়ত সেই নগৰত gladiatorial fight বোলা আমোদটো, অৰ্থাৎ বাঘে-মানুহে, সিংহে-মানুহে, মানুহে-মানুহে যুঁজ লগাই দি ৰং চোৱা খেলটো বৰ প্ৰবল হৈ উঠিছিল। সেই খেলৰ নাম শুনিলেই পম্পে নগৰৰ আবালবৃদ্ধবনিতা ডেকা-গাভৰু সকলো উত্ৰাৱল হৈ amphitheatreলৈ অৰ্থাৎ খেল হোৱা ঘৰটোলৈ উধাতু খাই গৈছিল। এই সময়তে আকৌ আন ফালে খৃষ্টৰ ধৰ্ম্ম লৈ কেতখিনি মানুহে নগৰবাসীৰ মাজত এই ধৰ্ম্মপ্ৰচাৰ কৰি নগৰবাসী সকলক সৎপথলৈ, প্ৰেমপূৰ্ণ খ্ৰীষ্টীয় ধৰ্ম্মৰ বাটলৈ নিবলৈ চেষ্টা কৰোঁতে এই ধৰ্ম্মপ্ৰচাৰক সকল বৰকৈ উৎপীড়িত আৰু নিগৃহীত হৈছিল। পিছত এদিন এম্পিথিয়েটাৰত এটা নিৰ্দ্দোষী খ্ৰীষ্টিয়ান মানুহক হাতত মাথোন এখন dagger বা জোঙ-ছুৰী দি তাক এটা সিংহৰ লগত যুঁজিবলৈ বলেৰে আদেশ কৰি ধেমালি চাব ধৰোঁতেই সিফালে ভিচুভিয়াচ নামৰ আগ্নেয় গিৰিটোত শত শত বৰটোপৰ ধ্বনিৰ দৰে ধ্বনি হবলৈ ধৰিলে; লগতে পৃথিবীখনো কঁপি কঁপি উঠিব ধৰিলে। ধৰ্ম্মৰ বলত সিংহটোৱেও গ্লেডিয়েটৰ বা সেই নিৰ্দ্দোষী যুঁজাৰুজনৰ লগত নুযুঁজি আকৌ নিজৰ সজালৈহে সোমাই গ'ল। নিষ্ঠুৰ দৰ্শক সকলে, বিশেষকৈ ডাঙ্গৰীয়ানী সকলে আমোদটোৰ পৰা বঞ্চিত হবলৈ নুখুজি আদেশ কৰিলে, সিংহটোক খুঁচি-বিন্ধি হলেও সজাৰ পৰা আকৌ উলিয়াই দিব লাগে আৰু গ্লেডিয়েটৰ জন সজাৰ মুখতে থিয় হব লাগে, যাতে সিংহই ওলায়েই তাক আক্ৰমণ কৰে। সিংহটোক সেই দৰে খুঁচি-বিন্ধি উলিয়াবলৈ যো-জা কৰোঁতেই সিফালে আগ্নেয়গিৰি ফুটি ধোঁৱা, অঙ্গঠা, ক্ষাৰ ওলাই পম্পে নগৰক পুতিব ধৰিলে। এম্পিথিয়েটাৰৰ ক'ৰ মানুহ ক'লৈ গ'ল তাৰ ঠাই, ঠিকনা নোহোৱা হ'ল। ধন সম্পত্তি থকা সকলে ধনৰ মায়াত, সম্পত্তিৰ মায়াত পলাব নোৱাৰিলে; কিন্তু দৰিদ্ৰ, উৎপীড়িত, খ্ৰীষ্টিয়ান সকল যে বাঁচিলেই, তদুপৰি সিবিলাকে অনেক অখ্ৰীষ্টিয়ান দুখী-সুখী মানুহকো সহায় কৰি ৰক্ষা কৰিলে! অতিপাত পাপৰ ফলত পম্পে নগৰ ধ্বংস পালে। ভিচুভিয়াচৰ ক্ষাৰ, অঙ্গঠা, লোৱে পম্পেক এনে ভাৱে পুতি পেলালে যে সেই নগৰৰ চিন-মকামে নৰ'ল। হাজাৰ বছৰ মানৰ পিছতহে মাটি খানোতে খানোতে মাটিৰ তলত এই নগৰখন আবিষ্কৃত হ'ল। আমাৰ অসমতো হেনো প্ৰভু শঙ্কৰদেৱৰ সময়তে নে তাৰ আগতে অতিমাত্ৰ পাপৰ ফলত দৈৱই আৰু শাহান নামেৰে দুখন গাওঁ ভুঁইকঁপত তল গৈ বিল হোৱা সাধু বা প্ৰবাদ এটা আছে। এই প্ৰবাদ বেবিলনৰ ছদম আৰু গমৰা দেশ দুখন তললৈ যোৱাৰ নিচিনা। আমাৰ অসমৰ এইটো প্ৰবাদকে, উপাদেয় উপন্যাস বা নাটৰ আকাৰে কোনো সম্প্ৰদায়ৰ মনত দুখ নিদিয়াকৈ সজাই উলিয়াৰ পৰা লৰ্ড লিটন অসমৰ ভিতৰত এতিয়ালৈকে ওলোৱা নাই। মেৰি কৰেলীৰ "মাষ্টাৰ খ্ৰীষ্টিয়ান", "চৰজ অব চেতান" এই দুয়োখন কল্পনামূলক ধৰ্ম্মবিষয়ৰ অতি উপাদেয় উপন্যাস। আমাৰ অসমতো বৈষ্ণৱ ধৰ্ম্মৰ সৌন্দৰ্য্য দেখুৱাই লিখিব পৰা উপন্যাসৰ ঢেৰ সঁজুলি আছে; কিন্তু মেৰি কৰেলীৰ দৰে সজাই লিখিব পৰা ঔপন্যাসিক আমাৰ দেশত এতিয়াও জন্ম লোৱা নাই। তদুপৰি আমাৰ অসমত জাতি বিদ্বেষ, পন্থৰ বিদ্বেষ, আমাৰ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা দেৱে লিখা মতে সৰহ আৰু চোকা বিধৰ, সেই দেখি এটা পন্থৰ উৎকৰ্ষ দেখুৱাই উপন্যাস লেখিবলৈ গলেই অন্য পন্থৰ সকলে বিদ্বেষ কৰিবৰ সম্ভৱ।

স্বদেশপ্ৰাণতা দেখুৱাবলৈ বঙ্কিম চাটাৰ্জ্জিয়ে অপূৰ্ব্ব "আনন্দ মঠ" উপন্যাস ৰচিলে। সেই "আনন্দ মঠ"ৰ সন্ন্যাসী সকলৰ মুখত দিয়া "বন্দেমাতৰম্ সুজলাং সুফলাং মলয়জ শীতলাং" ইত্যাদি গীতটো আজি কালি সকলো ভাৰতবাসীৰে জাতীয় সঙ্গীত স্বৰূপ হৈছে। এবাৰ সুৰ ধৰি গালে এই সঙ্গীতটোৱে যেই সেই ভাৰতবাসীকেই স্বদেশ প্ৰেমত উত্তেজিত নকৰাকৈ নেৰে।

"আনন্দ মঠ"ৰ নিচিনা উপন্যাস ৰচিবলৈ ঢেৰ সঁজুলি আছে। অসমৰ পৰ্ব্বত, পাহাৰ, নদ, নদীৰ দৃশ্য অতি অনুপম। বুৰঞ্জীতো আদিৰে পৰা, বিশেষকৈ মান-মৰাণৰ বিদ্ৰোহ কাহিনীত ইমান সঁজুলি আছে যে ৰচিব জানিলে, "আনন্দমঠ"ৰ নিচিনা জাতীয় প্ৰেম উদ্দীপিত কৰিব পৰা উপন্যাসৰ সৃষ্টি হব পাৰে। কিন্তু এই দুখুনী অসমত বঙ্কিমৰ নিচিনা প্ৰতিভাশালী ঔপন্যাসিক জন্মিছেনে?

পাপীমানুহো, অতিপাতকৈ নিৰ্য্যাতিত মানুহো যে ধৰ্ম্মৰ বলত, বিশেষতঃ গুৰু আৰু ঈশ্বৰৰ কৃপাত যে ঋষি বা মহাপুৰুষ হব পাৰে, এই বিষয়ৰ দুখন ইংৰাজী উপন্যাস অতি উপাদেয়। এখন হৈছে ফৰাছী ঔপন্যাসিক এলেকজেণ্ডাৰ ডুমাৰ পৰা তৰ্জ্জমা কৰা উপন্যাস 'মণ্টেখৃষ্ট,' আন খন হৈছে ভিক্টৰ হিউগোৰ 'লা মিজাৰেবিলিছ'ৰ পৰা তৰ্জ্জমা কৰা উপন্যাস। প্ৰথম খনত লিখকে দেখুৱাইছে ১৪ চৈধ্য বছৰ 'বেষ্টিল'ত ফাটেক খোৱা অপৰাধীয়ে মৰমৰ তিৰোতাৰ পৰা বিচ্ছেদ হৈ, ফাটেকৰ পৰা পলাই ভিনদেশত মহাধনী, পণ্ডিত আৰু ঋষিতুল্য হৈছিলগৈ। মৰমৰ তিৰোতা জনীয়ে ডুমুনী অৱস্থাৰ পৰা লেডি বা ভদ্ৰমহিলা বা ডাঙ্গৰিয়ানী হৈছিলগৈ। পিছত লৰ্ডজনৰ ঔৰষত ওপজা তাইৰ ল'ৰাটোক ডুৱেলত (দ্বৈৰথ যুদ্ধত) বধ কৰি তাইৰ ওপৰত প্ৰতিহিংসা লবলৈ ইচ্ছা কৰিও তাইৰ অনুনয় বিনয়ত প্ৰতিহিংসা নলৈ এজন মহাপুৰুষৰ দৰে কি দৰে ক্ষমা কৰি গুচি গৈছিলগৈ এনেকুৱা ঘটনা পঢ়ি শৰীৰৰ লোম থিয় হয়। নায়ক মণ্টেখৃষ্টলৈ প্ৰগাঢ় ভক্তি ওপজে। "লা মিজাৰেবিলিছ"ত দেখুৱাইছে, খাবলৈ নাপাই, ভোকত তত নাপাই দোকান এখনৰ পৰা সৰু ৰুটি এটা চুৰ কৰা বাবে যি জঁ ভেল জঁয় সাতবছৰ ফাটেক খাই আৰু পাপী হবলৈ ওলাইছিল সেই জঁ ভেল জঁয় বিছপজনৰ মৰম-পৰশ পাই কেনেকৈ ধনী, ধাৰ্ম্মিক হৈ উঠি সেই ধনেৰে দুঃখিতৰ দুঃখ মোচন কৰিছিল, বিশেষ জহৰা ছোৱালী, আলৈ-আথানি হোৱা কছেটক ডাঙ্গৰ দীঘল কৰি মেৰিয়ছৰ নিচিনা বীৰ আৰু ডাঙ্গৰ মানুহৰ ঘৰৰ ল'ৰা এটালৈ ৮ কোটি ফ্ৰেঙ্ক যৌতুকত দি বিয়া দি সজ্ঞানে ঈশ্বৰৰ পথ লৈ, তেওঁৰ গুৰু বিছপজনৰ নামলৈ মৃত্যু সময়ত বিছপজনৰ ছায়াৰূপ দেখি, নিৰ্ধনী, নিঃস্ব অৱস্থাতে বৈকুণ্ঠী হৈছিল, ইত্যাদি অতি সুন্দৰ ধৰ্ম্মৰ ভাব জগাই তোলা উপন্যাস। আমাৰ হিন্দু ধৰ্ম্মৰ ভিতৰত ৰামায়ণত তাহানিখন ৰত্নাকৰ দস্যু বাল্মীকি ঋষি হোৱা উপাখ্যান আছে। বঙ্গদেশত মহাপ্ৰভু চৈতন্যৰ প্ৰেম পৰশ পাই জগাই-মাধাই, ৰূপ সনাতন ইত্যাদি মহাসাধু হোৱা প্ৰকৃত ঘটনা আছে। আমাৰ এই অসমতো প্ৰভু শঙ্কৰ দেৱৰ, ৺মাধৱদেৱৰ, ৺দামোদৰ দেৱৰ, ৺হৰিদেৱৰ প্ৰেম পৰশ পাই মহাপাপীও মহাসাধু হোৱা দৃষ্টান্ত আছে; কিন্তু দুখৰ বিষয় আমাৰ বৰ্ত্তমান হিন্দুয়ামিত দৰিদ্ৰনাৰায়ণক সেৱা কৰা ধৰ্ম্মতকৈ ছুৎমাৰ্গৰ ধৰ্ম্মইহে ধৰ্ম্মৰ গদীত ঠাই পাইছে; সেই কাৰণে পাপীৰ উন্নতি দেখুৱাবলৈ দৃষ্টান্ত থাকিলেও বৰ্ত্তমান সমাজে সৈতে খাপ খোৱা সজুলি নোহোৱা হৈছে আৰু একপন্থৰ এজন মহাপুৰুষৰ উৎকৰ্ষতা দেখুৱাবলৈ হলেই আন সকলৰ বিদ্বেষৰ পাত্ৰ হব লগীয়াত পৰে; কিয়নো আমাৰ শ্ৰদ্ধাস্পদ বন্ধু শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা দেৱে 'বাঁহী'ত কবৰ নিচিনা সাম্প্ৰদায়িক বিদ্বেষটো বৰ বেছি। পৰস্পৰ বিদ্বেষেই অসম ধ্বংস কৰিলে, তথাপি অসমীয়াৰ মাজত এতিয়াও এই বিদ্বেষ-বহ্নি প্ৰবলৰূপে জলি আছে। যি কি নহ'ক কোনো প্ৰতিভাশালী লেখক ওলালে কল্পনাৰ বলেৰে হলেও, অসমীয়া জাতিত আৰু সমাজত খাপ খোৱাকৈ তেনেকুৱা উপন্যাস লেখিবলৈ সঁজুলি মোৰ মনেৰে আছে যেন লাগে। জীৱত দয়া, মনুষ্য মাত্ৰেই ভাতৃ, প্ৰাণী মাত্ৰেই সেই এক মহান্ ঈশ্বৰৰহে অংশ,—এনেকুৱাবিলাক ভাব দি, ধৰ্ম্মৰ পন্থ দেখুৱাই উপন্যাস লেখিব পৰা যায় যেন বোধ কৰোঁ।

আমি আগেয়ে কৈ আহিছোঁ যে উপন্যাসে সাধাৰণতে নায়ক-নায়িকা দুগৰাকীৰ প্ৰণয়ৰ বিকাশ, প্ৰণয়ৰ লীলা দেখুৱায়। প্ৰণয় বোলা বস্তুটো পবিত্ৰ বা ঐশ্বৰিক হলেও অনেক ঠাইত এই প্ৰণয় অন্ধ। এই প্ৰণয়ে জাতিকুল নিবিচাৰে। ফলত নায়ক বা নায়িকা উভয়ৰে দুখ হয়।

সামাজিক উপন্যাস

চাৰ ওৱাল্টাৰ স্কটৰ "আইভানহো" নামৰ উপন্যাসত ৰেবেকা ইহুদি জাতীয় গাভৰু হৈয়ো খ্ৰীষ্টিয়ান্ আইভানহোক ভাল পাইছিল।

আইভানহো কিন্তু তেওঁৰ নায়িকা লেডি ৰোৱেনাৰ প্ৰেমত ইমান মুগ্ধ আছিল যে তেওঁ ৰেবেকাৰ প্ৰেম বুজিব নোৱাৰিলে। শেহত যেতিয়া আইভানহোৰ ৰোয়েনাৰ লগত বিয়া হৈ গ'ল তেতিয়া ৰেবেকাই নিজৰ অলঙ্কাৰ-পাতি সোপাকে ৰোৱেনাক দি কলে—"আইদেও! মোৰ অলঙ্কাৰ পাতিৰ আৰু আৱশ্যক নকৰে। আমাৰ ধৰ্ম্মৰো মঠ আছে। সেই মঠত মোৰ নিচিনা দুৰ্ভগীয়ানী তিৰোতাই আশ্ৰয় পায়। মোৰ—অ' নহয়—নহয়—আপোনাৰ ডাঙ্গৰীয়াক কব যে আজিৰ পৰা ৰেবেকাই মঠত আশ্ৰয় ললে।" ৰেবেকাৰ কি গভীৰ, কি নিঃস্বাৰ্থ প্ৰেম! সাংসাৰিক প্ৰেমত নিৰাশ হৈ বেছেৰীয়ে ধৰ্ম্মত আশ্ৰয় ললে। বঙ্গদেশৰ বঙ্কিম চাটাৰ্জ্জিৰ উপন্যাস "দুৰ্গেশ নন্দিনী"তো সেইদৰে মুছলমানী আয়েসাই—ৰাজপুতবীৰ জগৎসিংহৰ প্ৰণয় লভিব নোৱাৰি বৰাগিনী হৈছিল। আমাৰ অসমৰ পুৰণি বুৰঞ্জীতো, ঠায়ে ঠায়ে বৰ্ত্তমান সমাজতো এনেকৈ প্ৰেমত নিৰাশ হোৱা বিবৰণ ঢেৰ আছে। দুখৰ বিষয় অসমীয়া হিন্দু সকলৰ ভিতৰত তিৰোতাৰ নিমিত্তে, দুখুনী বৰাগিনী সকলৰ নিমিত্তে তেনেকুৱা সত্ৰ, সভা বা আশ্ৰম নোহোৱাৰ কাৰণে প্ৰেমত নিৰাশ হোৱা তিৰোতাৰ ওখ আদৰ্শ দেখুৱাবলৈকো ঠাই আৰু সুবিধা নাই। আজি কালিৰ দিনত এফেৰা ঠাই হৈছে—প্ৰেমত নিৰাশ হোৱা মাইকীৰ নিমিত্তে বিয়া-বাৰু নকৰাই বিদ্যা শিখাত লাগি থকা আৰু শেহত কোনো স্কুলত বা পাঠশালাত ছোৱালীৰ শিক্ষয়িত্ৰী হৈ নিজৰ জীৱিকা উপাৰ্জ্জন কৰি স্বাধীনভাৱে থাকি জ্ঞান উপাৰ্জ্জন কৰি বিভুৰ চৰণতে মন প্ৰাণ ঢালি সংসাৰ যাত্ৰা নিৰ্ব্বাহ কৰা। আমাৰ অসমীয়াৰ মাজত পুৰণি বুৰঞ্জীৰ আলম লৈ অথবা বৰ্ত্তমানৰ সামাজিক কোনো ঘটনা লৈ এনেকুৱা বিধৰ উপন্যাস ৰচিব পাৰি, কিন্তু সেই ওখ খাপৰ শিল্পী ক'ত? আমাৰ ওচৰৰ বঙ্গালীভাতৃ সকলৰ জীৱনৰ আৰ্হি লৈ কোনোবাই যদি তেনেকুৱা উপন্যাস ৰচে তেন্তে সি নিশ্চয় বিজাতৰীয়া লাগিব। কোনো কোনো ঔপন্যাসিকে প্ৰেমত নিৰাশ হোৱা নায়ক বা নায়িকাক আত্মহত্যা কৰাই উপন্যাসৰ সামৰণি মাৰে; কিন্তু আত্মহত্যাকে পৰিণাম কৰা উপন্যাসে হেনো ঠায়ে ঠায়ে বাস্তৱ জীৱনত অনৰ্থ ঘটাইছে। বঙ্কিমচন্দ্ৰ চাটাৰ্জ্জিৰ কুণ্ড নন্দিনীয়ে হেনো এগৰাকী নে দুগৰাকী ডেকা গাভৰুৰ আত্মহত্যা ঘটাইছে।

জাতিয়ে, কুলে, বংশে, মৰ্য্যাদাই বাধাবিঘিনি নকৰিলেও কোনো কোনো স্থলত একোটা সামাজিক নিয়মে, অথবা পিতৃ মাতৃ ককাই ইত্যাদিৰ অযথা ব্যৱহাৰে, অদূৰদৰ্শিতাই লোভে, নায়ক নায়িকাক কষ্টত পেলায়, আন কি কেতিয়াবা কেতিয়াবা প্ৰাণনাশো কৰায়। গাৰ ধন দিব নোৱাৰা দোষতেই "মিৰি-জীয়ৰী"ত তামেদে জীয়েক পানেইৰ জঙ্কিৰ লগত ইহ সংসাৰত বৈধ মিলন হবলৈ নিদিলে। পিতৃ-মাতৃৰ বাক্য অৱহেলা কৰা দোষত পানেই-জঙ্কিয়ে গাছি মিৰিৰ হাতত প্ৰাণ হেৰুৱালে। তামেদেও নিজ কৰ্ম্মৰ ফল ভুগিলে। পবিত্ৰ প্ৰেমৰ কাৰণে ইহজীৱনত সুখী হব নোৱাৰিলেও সিপুৰীত, সিহঁতৰ স্বৰ্গ—পৰ্ব্বতৰ ওপৰত কাৰ্শিংকাটানৰ ৰাজ্যত মিলিলগৈ।

অন্ধ প্ৰেমে যে অনিষ্ট ঘটাই নায়ক নায়িকাক দুখ দিয়ে তাৰ বিবৰণ ৰেণল্ডচে "এম্প্ৰেশ ইওকিন্‌স বডৰ"ত, ভিক্তৰ হিউগোৱে "হাঞ্চবেক অব নটাৰডেম"ত দেখুৱাইছে। ধনী জমিদাৰৰ ল'ৰাই দেশ ভ্ৰমণ কৰিবলৈ গৈ ৰোৱা কৃষক ছোৱালীৰ লগত প্ৰেম কৰি দুখুনীক সগৰ্ভা কৰি থৈ ঘৰলৈ উভতি আহি মাক বাপেকৰ অনুৰোধত নিজৰ জাতিৰ, সমান মান মৰ্য্যাদাৰ, জমিদাৰৰ ছোৱালী বিয়া কৰালেহি। দুখুনীয়ে সমাজত পৰিত্যক্তা হৈ কোঁচত জহৰা ল'ৰাটো লৈ ঘৰ-দুৱাৰ ত্যাগ কৰি তাইৰ প্ৰেমিকক বিচাৰি বিচাৰি গৈ পেৰি ছহৰত উলিয়ালেগৈ। জমিদাৰ পুত্ৰৰ কীৰ্ত্তি মাক বাপেক আৰু নকৈ বিয়া কৰোৱা ঘৈনীয়েকে জানিলত এখান মহা হুলস্থুল লাগিল। পিতৃ জমিদাৰে তাইক বেলেগে ঘৰ, দাস-দাসী, ধন-দৌলত দি ৰাখিব খোজাতো তাই মান্তি নহৈছিল; কিন্তু যেতিয়া জমিদাৰে গাত ললে যে তেওঁ নাতিটি ডাঙ্গৰ দীঘল কৰি পঢ়াই শুনাই মানুহ কৰিব, তেতিয়াহে তাই আঁতৰি থাকিবলৈ সন্মত হৈছিল। পিছত সেই নিশা ৰাতি বেছি হোৱাত তাই ৰাতিটোৰ নিমিত্তে জমিদাৰৰ প্ৰাসাদৰ এখোটালিত

থাকিবলৈ অনুমতি পোৱাত তাই সেই খোটালিটোতে থাকিল। পিছত দৈবাৎ কেনেবাকৈ লেম্পৰ জুই, শুৱাই থোৱা ল'ৰাটোৰ আঠুয়াত লাগিলত তাই সেই জুইত জাঁপ দি সন্তানটো বঁচালে কিন্তু নিজে সেই জুইত পুৰি কেবা দিনো বিছনাত পৰি থাকি শেহত জমিদাৰৰ ডাক্তৰে বৰকৈ চিকিৎসা কৰাতো তাই নাবাঁচিল। মৰিবৰ সময়ত তাই ল'ৰাটো সতিনীয়েককে গতাই গ'ল। বুজন আৰু স্নেহবৎসল জমিদাৰ জীয়াৰীয়ে সেই ল'ৰাটোক নিজৰ সন্তানৰ দৰে মৰমেৰে তুলি-তালি ডাঙ্গৰ দীঘল কৰিলে। ধন্য মাতৃ-প্ৰেম! ধন্য শিক্ষিতা জমিদাৰ জীয়াৰী!

অবৈধ প্ৰণয়ৰ পৰা উপজি, দুখীয়া কিন্তু দয়ালু অঘৰীৰ হাতত ডাঙ্গৰ দীঘল হোৱা গাভৰুৰ ৰূপত মুগ্ধ হৈ "বিয়া নকৰাওঁ" বুলি উদাস ধৰ্ম্ম লোৱা পাদুৰীৰ পতন, আৰু সেই গাভৰুৱে আকৌ কাপ্তান ফিবাছ নামৰ সেনাপতি এজনৰ প্ৰেমলৈ আকাঙ্ক্ষা কৰা বাবে শেহত তাই যাদুকৰী বুলি অভিহিত হৈ ফাঁচীকাঠত প্ৰাণ হেৰুৱালে। পাদুৰী চাহাবৰো গলত হঠাৎ জৰী এডাল লাগি মৃত্যু হ'ল। ভিক্তৰ হিউগোৱে এই "হাঞ্চবেক অব নটাৰদেম" নামৰ উপন্যাস খনত উদাসীনৰ ওপৰত প্ৰকৃতিৰ পৰিশোধ দেখুৱাৰ লগে লগে ইয়াকো দেখুৱাইছে যে ডাঙ্গৰ আৰু সৰুৰ মাজত প্ৰেম উপজিলে শেহত ডাঙ্গৰ ৰক্ষা পৰে, সৰুৰ মৰণ হয়। ৰবীন্দ্ৰনাথ ঠাকুৰৰ "প্ৰকৃতিৰ পৰিশোধ" নামৰ উপন্যাসখনতো এনেকুৱা এটা কথাকেই দেখুৱাইছে। দুয়োজনা বিখ্যাত উপন্যাসকাৰকেই ইয়াকো দেখুৱাইছে যে সংসাৰত দুখ পাই বৰাগী হৈ মুখ লুকাব বিচাৰিলেও প্ৰকৃতিয়ে সহজে নেৰে। আমাৰ অসমত উদাস ধৰ্ম্ম লৈ সত্ৰবিলাকত ঢেৰ মানুহ আছে। এই উদাসীন ভকত সকলৰ সকলোৱে প্ৰকৃতিক জয় কৰিব পাৰিছেনে নাই আমি কব নোৱাৰোঁ। এনেকুৱা বিধ উপন্যাস লেখিবলৈ অসমত যথেষ্ট সমল আছে; কিন্তু ঘটনাৱলী অসমীয়া কৰিব নোৱাৰিলে অথবা অসমীয়া সমাজত খাপ খুৱাব নোৱাৰিলে, আৰু মাৰ্জিত ৰুচিৰে লেখিব নোৱাৰিলে এনেকুৱা বিধ উপন্যাসে গ্লানি বঢ়াব আৰু অনেকৰ মনতেই, বিশেষকৈ উদাসীন সম্প্ৰদায়ৰ মনত কষ্ট দিব।

আজিকালিৰ দিনত বঙ্গালী আৰু ইংৰাজ ঔপন্যাসিক শই শই, হেজাৰে হেজাৰে সামাজিক উপন্যাস লেখি উলিয়াছে। যি জাতি যিমান সভ্য, সেই জাতিৰ সামাজিক নিয়মো সিমান জটিল। জটিল সমাজৰ উপন্যাসো জটিল। সামাজিক উপন্যাসৰ উদ্দেশ্য দুবিধ। এবিধে সমাজৰ গ্লানি দেখুৱাইও কয় যে পুৰণি নিয়ম একেবাৰে এৰিলে সমাজত বৰ বিশৃঙ্খলা ঘটে। সেই দেখি কপালকে ধিয়াই সমাজৰ নিয়ম ৰক্ষা কৰি চলিব লাগে, তেহে মঙ্গল—নহলে সমাজ ছেদেলি ভেদেলি হৈ ধ্বংসৰ মুখলৈ যাব। এই বিধ উপন্যাসৰ দৃষ্টান্ত নিৰুপমা দেৱীৰ 'দিদি'। জমিদাৰৰ ল'ৰা এজনে কলেজত পঢ়োঁতে এনে বন্ধুৰ লগত পৰি এঘৰ দুখীয়া কিন্তু নিজ জাতিৰ মানুহৰ ঘৰলৈ অহা-যোৱা কৰিছিল। সেই মানুহঘৰৰ ঘাই মানুহটোৱে মৰিবৰ সময়ত তেওঁৰ বিধৱা জনাক আৰু একেজনী জীয়াৰীক এই জমিদামৰ ল'ৰাক গতাই গ'ল। জমিদাৰৰ ল'ৰাই পঢ়া শেষ কৰি ঘৰলৈ উভতি আহিলত বাপেকে সমান মান মৰ্য্যাদাৰ বংশ গৌৰৱৰ এগৰাকী জমিদাৰৰ জীয়াৰী বিয়া কৰোৱাই ঘৰলৈ আনিলে। সেই জমিদাৰ জীয়াৰীয়ে সৈতে জমিদাৰ ল'ৰাৰ দিন-কাল ভালেই যাব ধৰিলে। এনেতে সেই দুখীয়া মানুহ ঘৰৰ জীয়াৰী জনী বিয়া দিবৰ উপযুক্ত হোৱাত জমিদাৰৰ ল'ৰাই তাইলৈ আন দৰা বিচাৰি যে নাপালেই, তদুপৰি তেওঁ জানিলে যে ছোৱালীজনীয়ে আন কোনো দৰাত বিবাহিত হবলৈ সন্মত নহয়। নিজৰ দুখীয়া স্বজাতি এঘৰৰ জাত কুল ৰক্ষা কৰিবলৈ দুখুনী বিধৱাৰ কাতৰ প্ৰাৰ্থনাত গলিও আগৰ জনী ঘৈণীয়েকক (জমিদাৰ জীয়াৰীক) জনাই সেই দুখীয়া ছোৱালীজনীক নিজেই বিয়া কৰাবলৈ বাধ্য হ'ল। ফল হ'ল যে আগৰ জনী ঘৈনীয়েকে (জমিদাৰ জীয়াৰীয়ে) মনৰ দুখতে বহুকাল গিৰিয়েকে সৈতে গৃহস্থি নকৰি বাপেকৰ ঘৰত থাকিলগৈ। শেহত সন্ন্যাসিনী বেশ লৈ বাপেকৰ লগতে কাশীলৈ গৈ কাশীৰ বিশ্বেশ্বৰৰ চৰণত আশ্ৰয় বিচাৰিলে; কিন্তু পাষাণ মূৰ্ত্তি বিশ্বেশ্বৰেও তেওঁ দিয়া ফুল গ্ৰহণ নকৰিলে অৰ্থাৎ বিশ্বেশ্বৰৰ হাতলৈ দিয়া

সামাজিক উপন্যাস

মূল গাহি হাতত নৰৈ মাটিত পৰিল। ইয়াতে তেওঁ বুজিলে তেওঁ তেওঁৰ জীৱন্ত বিশ্বেশ্বৰ বিবাহিত স্বামী গুৰুক পূজা কৰা নাই ; সেই দেখি পাষাণমূৰ্ত্তি বিশ্বেশ্বৰেও তেওঁৰ পূজা গ্ৰহণ নকৰিলে। কান্দিকাটি বেছেৰীয়ে অনেক বছৰৰ মূৰতো, পূৰ্ণ যৌৱন প্ৰায় শেষ হোৱা সময়ত সেই গিৰিয়েকৰ চৰণতে আশ্ৰয় ললেগৈ। এই উপন্যাসে দেখুৱাইছে যে হিন্দুৰ তিৰোতাই, কোনো কাৰণতেই, হেজাৰ দোষী হলেও, স্বামী ত্যাগ কৰি আকৌ নতুন পতি গ্ৰহণ কৰিব নোৱাৰে,—আইনমতেও আৰু সমাজ মতেও। সেই দেখি হিন্দুৰ পুৰুষ সকল নিষ্ঠুৰ হলেও হিন্দু তিৰোতাই জীৱিত স্বামী এৰি আন স্বামী লব নোৱাৰে। আনবিধ সামাজিক উপন্যাসে সমাজৰ দোষ দেখুৱাই সমাজক গালি পাৰি সমাজ সংস্কাৰ কৰিবলৈ বিচাৰে। জাতি-বৰ্ণ, পুৰণি নিয়ম, সকলোকে ভাঙি-চিঙি চুৰমাৰ কৰি সমাজৰ সীমাবদ্ধ নিয়মবিলাক উকৰাই দি বিশ্ব-প্ৰেম, বিশ্বনিয়ম প্ৰবৰ্ত্তাবলৈ চেষ্টা কৰে ; কিন্তু আধ্যাত্মিক হিন্দু সমাজত এই বিষয়ে এই শ্ৰেণীৰ ঔপন্যাসিক সকল কিমান সফলকাম হৈছে কব নোৱাৰোঁ। বঙ্গদেশত এনেকুৱা বিধ উপন্যাস আৰু ছুটীগল্পৰ লিখক হৈছে পূজ্যপাদ ৰবি ঠাকুৰ আৰু শৰৎ চাটাৰ্জ্জি। ৰবি ঠাকুৰে বঙ্গালীৰ পণ-প্ৰথাৰ নিন্দা কৰি এটা সুন্দৰ গল্প লেখিছে। সেইটো সংক্ষেপতে এই। এগৰাকী ব্ৰাহ্মভাৱ থকা ডাক্তৰে নিজৰ উচ্চশিক্ষিতা জীয়েকক এজন পিতৃহীন, মোমায়েকৰ অভিভাবকত্বত ডাঙৰ হৈ এম এ পাছ কৰা জমিদাৰ ল'বা এজনত জীয়েকক বিয়া দিবলৈ যো-জা কৰিলে। মোমায়েকে নগদ টকা কিছুমান আৰু নিৰ্দ্দিষ্ট ওজনৰ সোণৰ অলঙ্কাৰ কেইপদ মান যৌতুক স্বৰূপে লবলৈ স্বীকাৰ কৰি বিয়াত সন্মত হ'ল। যথা সময়ত দবাৰ সজাই-কছাই কইনা ঘৰলৈ লৈ আহিল, লগতে সোণ পৰীক্ষা কৰা সোণাৰী এটাও লৈ আহিল। সম্পাদন হোৱাৰ আগতে দবাৰ মোমায়েকে কইনাৰ বাপেক ডাক্তৰক তেওঁৰ জীয়েকৰ লগত দিব খোজা অলঙ্কাৰবিলাক "চাব খোজোঁ।" বুলি আনিব দিলে। ডাক্তৰে টোপোলাবে সৈতে উলিয়াই আনি দবাৰ মোমায়েকৰ আগত দিলেহি। দবাৰ মোমায়েকে সোণাৰীৰ হতুৱাই সেই অলঙ্কাৰ বিলাক এপদ এপদকৈ পৰীক্ষা কৰাই চালে যে সকলো অংশকাৰেই আঠ সোণৰ—ওজনতো বেছি থাকিলেও কম নাই। দবাৰ মোমায়েকে তেতিয়া ডাক্তৰক ছোৱালী সম্প্ৰদান কৰিবলৈ কলে ; কিন্তু ডাক্তৰে ভিতৰলৈ গৈ জীয়েকক সকলো কথা কৈ দবাটোক অপদ এফলীয়াকৈ মাতি নি সুধিলে যে তেওঁ নিজ ইচ্ছাতে বিয়া কৰাবলৈ আহিছে নে মোমায়েকৰ আজ্ঞাত হে আহিছে। দবাই কলে যে তেওঁ মোমায়েকৰ বাধ্য। মোমায়েকে যি কৰিবলৈ কয়, তেওঁ তাকে কৰিব। তেতিয়া ডাক্তৰে আকৌ ভিতৰলৈ সোমাই গৈ দবাঘৰীয়াই দিয়া আয় অলঙ্কাৰ সোপাকে টোপোলা এটাত বান্ধি লৈ বাহিৰলৈ ওলাই আহি দবা-ঘৰীয়া সকলোটাকৈ মাতি নি জা-জলপান খুৱাই উঠিল। এনেতে দবাৰ মোমায়েকে কলে "লগ পাব হে যাব। ছোৱালী সম্প্ৰদান কৰক।" তেতিয়া ডাক্তৰে দবা-ঘৰীয়া অলঙ্কাৰৰ টোপোলাটো মোমায়েকৰ আগত পেলাই দি কলে—"ভাগৰীয়া! আপোনালোকৰ ঘৰলৈ মই ছোৱালী বিয়া নিদিওঁ। যি মানুহে মই মোৰ একেজনী জীয়াৰীৰ লগত দিব খোজা অলঙ্কাৰতে অবিশ্বাস কৰিলে, সেই ঘৰত, আৰু বিশেষ বিচাৰ শক্তিবিহীন দবা এজনক মোৰ ছোৱালী দিলে মোৰ ছোৱালীৰ সুখ নহব। আপোনালোকক এতিয়া বিদায় হে হওক।" ডাক্তৰৰ এই কথাত মোমায়েকে গৰ্জ্জি কলে—"আপুনি আমাক ইমান অপমান কৰা বাবে আপোনাৰ ওপৰত মানহানী মকৰ্দ্দমা কৰিম।" ডাক্তৰে কলে—"ভাগৰীয়া! এটা নহয় দহোটা মকৰ্দ্দমা কৰক গৈ।" কি কবিব, একোপধো সমিল-মিল কৰি নোৱাৰি দবা-ঘৰীয়া কোব-খোৱাকৈ চুৰুমাৰ দবে উভতি গ'ল। ডাক্তৰৰ জীয়েকে এই ঘটনাৰ পৰা আৰু দুনাই আনত বিয়া নোসোমাই কুমাৰী ব্ৰত ধৰি শিক্ষয়িত্ৰীৰ বাব ললে। শেহত কিন্তু ডাক্তৰৰ জীয়েকৰ গুণ, সাহ, বিদ্যা-বুদ্ধিত আকৃষ্ট হৈ দবাজনেও আন ছোৱালী বিয়া নকবাই ভেঁকেই শিক্ষা দিয়া কাৰ্য্যত, বোগী শুশ্ৰূষা কৰা কাৰ্য্যাদিত সহকাৰী হৈলৈ জীৱনৰ সঙ্গী হলে। শেহত উভয়ে বিয়া হ'লে নহ'লে এই বিষয়ৰ লেখক নীৰব। এই নীৰৱতাই কিন্তু গল্পটোৰ সৌন্দৰ্য্য যে বঢ়াইছেই তদুপৰি গাভকময়ীৰ যে আধ্যাত্মিকতা আছে ইয়াকো সুচাইছে।

বৰ্ত্তমান সময়ৰ সমাজৰ ওপৰত তীব্ৰ অনাস্থা প্ৰকাশ কৰি সমাজ সংস্কাৰৰ উদ্দেশ্যেই হওক বা আৰ্ট খাতিৰতে হওক, বঙ্গালী উপন্যাসকাৰক শৰৎ চাটাৰ্জ্জিয়ে ঢেৰ উপন্যাস লেখিছে। এখনত তেওঁ এজনী বেশ্যাৰো সন্ধান, গৃহিনীপণা দেখুৱাই সেই বেশ্যাই এজন ল'ৰাক ঘৰ আৰু কলেজত পঢ়ুৱাই এম-এ পাছ কৰা দেখুৱাইছে। আন এখনত তেওঁ এজন বঙ্গালী যুৱকক বৰ্ম্মাত গৈ, বৰ্ম্মাৰ তিৰোতা বাৰি তাইৰ গৰ্ভত সতি সন্তান তুলিও হেৰুৱ তাইক ফাঁকি দি তাইৰ সৰল প্ৰাণত আঘাত দি, ভাঙ্গাত উটৰৰ সময়তো তেওঁৰ বঙ্গালী, লগৰ বন্ধুবান্ধৱক হেঁৱাই, তাইৰ হাতৰ বহুমূলীয়া হীৰাপাতোৱা আঙুঠিটো লৈ ওচি অহা দৃশ্য এটা দেখুৱাই, উপন্যাসিকবৰে মন্তব্য প্ৰকাশ কৰিছে যে বঙ্গালী হিন্দু জাতিটোৱে যদি জাতিকুল নিচিনি সুন্দৰী ছোৱালী যি দেশৰে বা যি জাতিৰে হওক বিয়া কৰাই সমাজত ললেহেঁতেন, তেনেহলে বঙ্গালী হিন্দু সমাজ কিমান উন্নত হলহেঁতেন! "চৰিত্ৰহীন" বোলা উপন্যাস খনত আৰ্ট খাতিৰতে অনেক উত্তেজনামূলক প্ৰায় অশ্লীল কথা বিলাকো লেখিছে। এইখনৰ হেনো টকি ফিল্মো হৈছে ; আৰু সেই ফিল্ম হেনো বাপেকে পুত্ৰকে একেলগে বহি চাব নোৱাৰে। ইমান অশ্লীল! 'শেষ প্ৰশ্ন" নামৰ উপন্যাস খনত চাহ বাগিছাৰ (অসমৰ) চাহাংকুলি মাইকীৰ গৰ্ভত ওপজোৱা এজনী অতি ধুনীয়া ছোৱালীৰ মুখেৰে হিন্দুৰ ধৰ্ম্মৰ, জাতিৰ, দৰ্শনৰ, আচাৰৰ নানা কেচোৰাৰি বা গ্লানি কোৱাই শেহত তাইৰ বিলাত গৈ বঙ্গালী হিন্দু বেৰিষ্টাৰ এজনে সৈতে বিনা বিবাহে পূৰ্ণ মিলন, 'ঘৰ-কন্যা' দেখুৱাই উপন্যাসৰ সামৰণি মাৰিছে।

আমাৰ অসমত এই ধৰণৰ বা এনেকুৱা কথাৰ অৱতাৰণা কৰি উপন্যাস কোনোবাই লিখা হলে তেওঁৰ লগে এক প্ৰকাৰ দফা সাং হ'লহেঁতেন।

এসময়ত আমি এজন ইংৰাজী আৰু সংস্কৃত উভয় ভাগতে এম-এ পাছ কৰা নৈষ্ঠিক বঙ্গালী ব্ৰাহ্মণ ভদ্ৰলোকে সৈতে বেলুক মুৰেঁাতে, সেই ভদ্ৰলোকক জনৰ মুখে শুনিছিলোঁ যে ৰবি ঠাকুৰ আৰু শৰৎ চাটাৰ্জ্জিয়ে আৰ্ট খাতিৰতে হওক বা সমাজ সংস্কাৰ কৰিবৰ ভাবতেই হওক, উপন্যাস লিখি আৰু বিশ্বকবিয়ে হেনো ভদ্ৰ পৰিবাৰৰ ঘৰৰ তিৰোতা সকলক ঘৰত্তা গিয়েটৰত অভিনয় কৰাই বঙ্গীয় হিন্দু আৰু ব্ৰাহ্ম সমাজৰ ঢেৰ অনিষ্ট কৰিছে। পুৰুষ আৰু তিৰোতাৰ অবাধ মিলন আৰু ঘনিষ্ঠতাত কোনো কোনো বঙ্গালী ডেকা গাভৰুৰ ঢেৰ অনিষ্ট হৈছে, এই বিষয়ে দুজন বঙ্গালী কিতাপেই—"পতিতাৰ আত্ম-কথা" আৰু "ৰমেশদাৰ আত্ম কথা"য়েই প্ৰমাণ কৰিছে।

আনফালে আৰু আন এজন নে দুজন বঙ্গালী বন্ধুৰ পৰা পাইছোঁ যে ধৰ্ম্ম ধৰ্ম্ম কৰি, নীতি নীতি কৰি আমি অৰ্থাৎ হিন্দু জাতিটোৱেই সংকীৰ্ণ মনৰ হৈ যাব লাগিছোঁ। আমাৰ সমাজৰ গ্লানিও ঢেৰ আছে। ৰবিঠাকুৰ আৰু শৰৎ চাটাৰ্জ্জিয়ে হেনো ভালকৈ কৰিছে। সঙ্কীৰ্ণ গণ্ডীৰ ভিতৰত নায়ক নায়িকা সকলক নাবাধি, বিশ্ব প্ৰেমত মগ্ন কৰাই তেওঁবিলাকে উপন্যাস শিল্প-কলাৰ উৎকৰ্ষ সাধিছে—সমাজৰ সংস্কাৰ বা উপকাৰ অপকাৰ হওকে বা নহওকেই। তেওঁবিলাকৰ উপন্যাস, সাহিত্য বিশ্ব উপন্যাস, বিশ্ব সাহিত্য। বেশ্যাও মানুহ। সমাজৰ দোষতহে অভাগিনী পতিতা বেশ্যা হৈছে। সেই বেশ্যাতো স্বৰ্গৰ পবিত্ৰতা, অফুৰন্ত ভাবৰ সৌন্দৰ্য্য থাকিব পাৰে। আন পঙ্কৰ মত এই। পিছত আমি নিজে হলে কব নোৱাৰোঁ, কোনটো বাট ভাল, কোনটো বাট বেয়া।

আমি এইবেৰে কেইখননান বিখ্যাত উপন্যাসৰ চমু সমালোচনা কৰি দেখুৱালোঁ অসমত উপন্যাসৰ সঁজুলি আছে নে নাই। বোমান্টিক, বুৰঞ্জীমূলক উপন্যাসৰ নিমিত্তে অসমত যথেষ্ট সময় আছে। অসম জননীৰ প্ৰাকৃতিক সৌন্দৰ্য্যও অতি অফুৰন্ত। অসম ওখ ঠাই, নামনি ঠাই, হ্ৰদ, বিল, পাহাৰ, সমতল, ডাঙৰ ডাঙৰ পুখুৰীৰে ভৰা। সামাজিক উপন্যাসৰ নিমিত্তে হলে মোৰ মনেবে যথেষ্ট সঁজুলি নগৰ-বাসী সকলৰ ভিতৰত নাই। কিয়নো অসমীয়া সমাজ সাধাৰণ ধৰণৰ। অসমীয়া সমাজত জটিলতা নাই। অসমত কলিকতাৰ নিচিনা, লণ্ডনৰ নিচিনা, প্যাৰিৰ নিচিনা ডাঙৰ ডাঙৰ মহানগৰী নাই ; সেই দেখি অসমীয়া নায়ক-নায়িকা সাজি detective novel অৰ্থাৎ চোৰ ডকাইত ধৰা উপন্যাস লেখিবলৈ হলে

সঁজুলি নাই। অসমীয়া বৰ্ত্তমান সমাজত যি অলপ-অচৰপ গ্লানি আছে, সেইবিলাক লৈ সামাজিক উপন্যাস লিখিব পৰা যায়; কিন্তু দুখৰ বিষয় অসমত এতিয়াইলৈকে কাকো মনত দুখ নিদি অথচ সমাজৰ গ্লানি দেখুৱাই, মূল ভাবৰ, দেশৰ ৰীতি-নীতি অক্ষুণ্ণ ৰাখি, উপন্যাস লেখিব পৰা প্রতিভাশালী সাহিত্যিক এতিয়াও ওলোৱা নাই হবলা,—যদিও "মূল নাটক লাগে, মূল নাটক লাগে, ভদ্রচৌর্য্য নালাগে" ইত্যাদি বিষৰ চিঞৰ-বাখৰ কৰিব পৰা লোকৰ, পৰক যেনে তেনে সমালোচনা কৰিব পৰা লোকৰ অভাৱ নাই। অসমীয়া মানুহ দুখীয়া—অসমীয়া জাতিটোকেই মুষ্টিমেয়—১,৭০০০০ মাথোন। ইয়াৰ উপৰিও বিদেশীয়ে অসমীয়াক হেচুকি ধৰিছে। বঙ্গলাই বা আকাশী লতাই ডালিম গছ মেৰাই ধৰি গছডালক মাৰিব ধৰাৰ দৰে বিদেশীৰ হেঁচাত অসমীয়া অলা-কলা। অন্নচিন্তাই অসমীয়াৰ প্রধান চিন্তা হৈছে। অসম দেশৰ কাঠ, চিলপাতৰ কাৰবাৰ, আলি-পদুলি মেৰামত কৰা কাৰবাৰ সকলো বিদেশীৰ হাতত। অসমত অসমীয়া পাঠক সমাজ এটাও এতিয়ালৈকে হোৱা নাই, যদিও অসমীয়া মানুহে বঙ্গালী কাকত-পত্র হেজাৰে হেজাৰে কিনি পঢ়ে। অসমত প্রথম শ্রেণীৰ উপন্যাসো সৰহকৈ ওলোৱা নাই। যি অসমীয়া এসময়ত সমগ্র ভাৰতৰ ভিতৰত উন্নত সাহিত্যিক আৰু বিদ্বান্বাণী আছিল, সেই অসমীয়া আজি মূর্খ, জুকলা জুপুৰা, পৰৰ মুখাপেক্ষী, পৰৰ বস্তু ভাল গোৱা প্রকৃতিৰ।

আজি অসমীয়াৰ পেটত ভাত নাই। দেশৰ ব্যৱসায়, বাণিজ্য, ঠিকা, চাকৰি প্রায় বিদেশীৰ হাতত। অর্থাৎ নহলে, কি সাহিত্য, কি উপন্যাস, কি ধর্ম্ম, কি নাটক—(ৰাজনীতিৰ কথাকে নকওঁ) একোৰে উন্নতি কৰিব পৰা নাযায়। আই লক্ষ্মীৰ কৃপা নহলে সৰস্বতী মাতৃ নিজে জিলিকি যুঠে। ধনী মানুহৰ সহায় নহলে দুখীয়া গ্রন্থকাৰৰ অতি উৎকৃষ্ট গ্রন্থও পোহৰলৈ আহিব নোৱাৰে। সেই দেখি এই বৰ্ত্তমান কালত অসমীয়াই সজ উপায়েৰে ধন আৰ্জ্জিবলৈ, ব্যৱসায় বাণিজ্য, কৃষি ইত্যাদিবহে বেছিকৈ চর্চ্চা কৰিব লাগে। লগে লগে নিজ নিজ তন্ত্র সম্বন্ধত মন দিব লাগে। ঈশ্বৰৰ ওপৰত ভক্তি ৰাখি, কর্ম্মৰ ফল অর্পণ কৰি অসমীয়াই এইবিলাক কামত ব্যৱসায়, বাণিজ্য, কৃষি, শিল্প, সাহিত্য চর্চ্চা—এই বিলাকত লাগি যাওক। দেখিব অচিৰাৎ সাহিত্যৰ উন্নতি হব, ভাষাৰ উন্নতি হব। অসমত মৌলিক ভাবৰ প্রথম শ্রেণীৰ নাটক, উপন্যাস সকলোবে সৃষ্টি হব পাৰিব।

উত্তৰ ভাৰতত এভুমুকি

(আগৰ সংখ্যাৰ পাছৰপৰা)

—শ্রীযুত চিদানন্দ দাস বি-এ

দিল্লীৰ পৰা আমাৰ আগ্রালৈ যোৱা কথা। দিল্লী ছোৱা শেষ কৰি গধূলি আগ্রা অভিমুখে যাত্রা কৰিলোঁ। বাটত মাজে মাজে দিল্লীৰ নানা দৃশ্য মনত পৰি ভাল লাগিছিল। অৱশ্যে আগ্রা চোৱা ব্যগ্রতাই হলে লগ এবা নাছিল। বাতি প্রায় ১১ বজাত টুণ্ডলা পালোঁহি। ই আগ্রালৈ যোৱা জংচন। তাৰ পৰা আগ্রা যেণেৰে মাজ নিশা আগ্রা ফোৰ্ট ষ্টেচন পালোঁহি। বাকী কেই ঘণ্টা বাতি ষ্টেচনতেই ভালকৈ কটালোঁ। পতিকে টাঙ্গাৰে আহি তাতেই উঠিলোঁ। ই এজনা সুদক্ষ বঙ্গালী ভদ্রমহিলাৰ দ্বাৰা পৰিচালিত।

দিল্লীৰ দৰে আগ্রাও এখন প্রাচীন ঐতিহাসিক নগৰ। খ্রীঃ পূঃ প্রায় ৩০০০ বছৰ আগৰ পৰাই মহাভাৰতৰ যুগৰ লগত ইয়াৰ সম্বন্ধ আছে। পুৰণি আগ্রা নগৰ যমুনাৰ বাওঁ পাৰত আছিল। খ্রীঃ পূঃ ২৫০ বছৰ আগতে অশোকৰ বাজ্যভুক্ত আছিল। আগ্রা দুর্গৰ ওচৰৰ নানা প্রাচীন কীর্ত্তিৰ আবিষ্কাৰে এই কথা ভালকৈ



তাজমহল উদ্যান

সিদ্ধিনা পুৰে পোহৰ হোৱাৰ লগে লগে হোটেল 'গাইড' আৰু গাৰী-ঘোঁৰাৰ সমাবোহ হ'ল। চিপিতোঁলাৰ বেঞ্চল লজ্ বোলা হোটেলত আমাৰ থকা কথা। প্রমাণ কৰে। অৱশ্যে মধ্যযুগৰ পৰাহে ই বুৰঞ্জীত ভাল ঠাই অধিকাৰ কৰিছে।

বৰ্ত্তমান আগ্রা নগৰ যমুনাৰ সোঁ পাৰত। ইয়াক

আকবৰ বাদহাহে স্থাপন কৰে। এতিয়াও ই আকবৰাবাদ নামে জনাজাত। চেকেণ্ডৰ লোডীৰ দিনত ই ভাবতৰ



দেৱান-ই-খাচ (ফতেপুৰ চিক্রি, আগ্রা)

ৰাজধানী হোৱাৰ সম্মান লাভ কৰে। মোগল প্রাধান্য মূলতো ই ৰাজ্য শাসনৰ এটা ঘাই কেন্দ্র হৈ উঠে। কিন্তু মোগল গৌৰৱ লুপ্ত হোৱাৰ লগে লগে ই ক্রমান্বয়ে ৰাজপুত ভাৰতপুৰৰ জেটচ্ বিলাকৰ অধীনলৈ আহে। এই ছয়ো জাতিৰ লুটপাটে ইয়াৰ সৌন্দর্য্যও লাঘৰ কৰে। ১৮৩০ চনত মহাৰাষ্ট্রা সকলৰ পৰা লর্ড লেকে ইয়াক কাঢ়ি লয়। তেতিয়াৰ পৰা বহুদিন ধৰি ই ইংৰাজৰ শাসন কার্য্যৰ কেন্দ্র হৈ পৰে। বিখ্যাত চিপাহী বিদ্রোহৰ সময়ত ইয়াত বিশেষ দুর্ঘটনা ঘটা নাই।

আমাৰ সময় কম। সেই দিনাই আগ্রামান চাওঁতে ঠিক কৰিলোঁ। ৫ ঘণ্টা মানৰ বাবে টঙ্গা এখন ভাৰা কৰি বাহিৰ হলোঁ। সেই ফালে ঘণ্টা হিচাপেহে গাৰী ভাৰা কৰাত লাভ। তাজমহলৰ পিছত আন বিলাক চাবে ভাল নহব যেন ভাবি প্রথমে ছিকন্দালৈ গোপালোঁ। ই আকবৰ বাদছাহৰ সমাধি। আগ্রাৰপৰা ৫ মাইল দূৰত, ছিকেন্দ্রা, গাওঁত অৱস্থিত। তাইৰ মোৱা বাট বহল আৰু ভালকৈ পকী কৰা। বাটৰ দুয়ো কাষে নিমগছৰ শাৰী



ইংমৎ-উৎ-দৌলা—আগ্রা

ই সৌন্দর্য্যৰ লগে লগে মানুহৰ দাঁত ঘঁহা সঁজুলিবো এখনেৰে সমাধি ঢাকি থোৱা হয়। ওপৰত লর্ড কর্জ্জনে খতাত দূৰ কৰিছে। আকাৰ আৰু সৌন্দর্য্যৰ বাবে এই দান কৰা কণৰ ডাঙৰ লেম্প এটা ওলমি আছে। প্রায় সমাধিয়ে প্রথম শ্রেণীত ঠাই পাইছে। আকবৰে নিজে ইয়াৰ কাম আৰম্ভ কৰে। কিন্তু জাহাঙ্গীৰৰ দিনতহে ই সমাপ্ত হয়। ইয়াক সাজোতে ১৫ লাখ টকা আৰু ১৪ বছৰ সময় লাগে। কম্পাউণ্ডৰ চাৰিও ফালে ওখ দেৱাল। ভিতৰত সুন্দৰ বাগিছা। ভিতৰলৈ মোৱা ঘাই দুৱাৰ ওখ আৰু ডাঙৰ। তাৰ ওপৰত বাজনা বজোৱা ঘৰ। নানা কাৰুকার্য্যই সমাধিৰ শোভা বঢ়াইছে। ভিতৰত প্রবল প্রতাপী আকবৰ বাদছাহ মহানিদ্রাত নিমগন। তেওঁৰ সমাধিয়ে যেন প্রতি মুহূর্ত্ততে সংসাৰৰ অনিত্যতাহে ঘোষণা কৰিছে।



পাঁচ মহল (ফতেপুৰ চিক্রি—আগ্রা)

ভৰৰ ওপৰত পাৰ্ছী ভাষাত বহুতো কিবাকিবি লিখা আছে। মজালৈ মুখ নকৰি তেওঁক পুৰ ফালে মুখকৈহে ৰব দিয়া হৈছে। তেওঁ প্রৱর্ত্তন কৰা 'দিন ইলাহী' ধর্ম্ম সূর্য্য এটা ঘাই বিষয় হোৱাই ইয়াৰ কাৰণ। বর্দ্ধমান মহাৰজাই দান কৰা বহুমূলীয়া কাপোৰ সকলো পর্য্যটকে সমাধিৰ ওচৰত সম্মানসূচক ভাব প্রকাশ কৰে।

ছিকেন্দ্রা চাই এটাই ইতিমধ্যে লাহে সমাধিলৈ বাট লগোঁ। ই যমুনাৰ বাওঁ পাৰত। মোগল সুবঙ্গীৰ লগত এই সমাধিৰ ঘনিষ্ঠ সম্বন্ধ আছে। বিখ্যাত নুৰজাহান



আকবৰৰ সমাধি, তোৰণ দ্বাৰ—চেকেন্দ্রা, আগ্রা

বেগমে বাপেক মীৰজা গিয়াছুদ্দীন মহম্মদৰ স্মৃতিৰক্ষাৰ্থে এই সমাধি সজায়। জাহাঙ্গীৰৰ দিনত তেওঁ অৰ্থ-সচিব



ছেখ চেলিম আৰু ইছলাম খানৰ মউচলিউম (Mausoleums)
ফতেপুৰ চিক্রি—আগ্রা

হৈ ইতিমড্ডুলা বা 'সাম্রাজ্যৰ শক্তি' নাম লয়। ভিতৰত লগালগিকৈ গিৰীয়েক ঘৈণীয়েকৰ কবৰ। বগা মাৰ্ব্বলেৰে সজাত গোটেইটো ধুনীয়া হৈ পৰিছে। লৰ্ড কৰ্জ্জনৰ দিনৰ "প্ৰাচীন কীৰ্ত্তি সংৰক্ষণী" আইনে এই ফালৰ সকলো খিনিকে ৰক্ষা কৰিছে। আমাৰ দেশৰ মঠ-মন্দিৰ আদিৰ দৰে এই বিলাকৰ ওপৰত ধ্বংসই নিৰ্ব্বিবাদে নিজ আমোল বিস্তাৰ কৰিব পৰা নাই। ইবিলাকৰ লগত বিজালে আমাৰ বোৰৰ অৱস্থা দুখ লগা। ইয়ালৈ সোমোৱা গেটত মাৰ্ব্বলৰ তৈয়াৰী নানা বস্তু কিনিবলৈ পোৱা যায়।

ইয়াৰ পিছত তাজমহলে আমাৰ মনোযোগ আকৰ্ষণ কৰিলে। ক্ষন্তেকতে পৃথিবীৰ আচৰিত বস্তু এটা দেখা পোৱাৰ আশাত মনত বেছ বা লাগিল। ভিক্টোৰিয়া পাৰ্ক নামে এখন ধুনীয়া বাগানৰ মাজেদি ইয়ালৈ যোৱা বাট। ই যেন তাজৰ সৌন্দৰ্য্যৰ আভাস দিবলৈ বাটতে হৈ আছে। সূৰ্য্যৰ পোহৰত চন্দ্ৰ জিলিকাৰ দৰে তাজৰ সৌন্দৰ্য্যই আগ্ৰাৰ এফাল উজ্জ্বল কৰি ৰাখিছে। তাজ অবিহনে আজিৰ আগ্ৰাৰ অৱস্থা আন কিবা হ'লহেঁতেন। নগৰ হিচাপে ইয়াৰ বিশেষ নাম নাই।

তাজমহল যমুনাৰ সোঁ পাৰত। নিচেই পাৰত হোৱাত নদীয়ে ইয়াৰ গোটেই তল ভাগ পখালি নিয়ে।



মোতি মছজিদৰ ভিতৰুৱা দৃশ্য



ছমন বুৰ্জ্জৰ বাহিৰৰ দৃশ্য

আৰু যমুনাৰ শ্ৰদ্ধাঞ্জলি বুলিব পাৰি। পৱিত্ৰ প্ৰেমৰ মন্দিৰ ধুবলৈ পাই নদী যেন নিজেই ধন্য হৈছে। তাজমহলৰ নিৰ্ম্মাণ বুৰঞ্জীৰ এটা লেখত লব লগা ঘটনা। সেই বিষয়ে সকলোৰে অল্প বিস্তৰ জ্ঞান আছে। মমতাজ বেগম ছাজাহানৰ প্ৰিয়-পত্নী। নিখুঁত প্ৰেমৰ প্ৰভাৱে তেওঁলোক দুয়োৰো জীৱন সম্পূৰ্ণ কৰি তোলে। এটা চন্দ্ৰৰ বাবে এটা সূৰ্য্য থকাৰ দৰে অকল মমতাজহে ছাজাহানৰ হৃদয়ৰ অধিষ্ঠাত্ৰী দেৱী আছিল। কিন্তু সুখ দুখ চিৰস্থায়ী হোৱাটো বিধিৰ বিধানৰ বাহিৰ। কাজেই ছাজাহানৰ হিয়া দুফাল হবলৈ বেছি পলম নালাগিল। ৰাজ্যৰ কামত দাক্ষিণাত্যলৈ যাওঁতে মমতাজেও তেওঁৰ লগ লয়। কিন্তু মধ্য ভাৰতৰ বৰহানপুৰত মমতাজ মৃত্যুৰ মুখত পৰে। জেনেবাদ বাগানত কিছুদিন শটো ৰখা হয়। পিছতহে আগ্ৰাৰ মুকলি বাগানলৈ আনি কবৰ দিয়ে। এই ঘটনাই ছাজাহানৰ জীৱনত বিশেষ পৰিবৰ্ত্তন ঘটায়।

তাজমহল মমতাজৰ শেষ অনুৰোধৰ ফল। তেওঁৰ স্মৃতি যুগমীয়া কৰিবলৈ ইয়াক সজা হয়। ইয়াৰ বাবে ছাজাহানে নিজ ৰাজ্য, আৰব, পাৰস্য আৰু তুৰ্কীস্থান আদি দেশৰ বিখ্যাত শিল্পী সকলৰ পৰা আহি গোটায়। মাকৰান, জয়পুৰ আৰু আন আন ঠাইৰ পৰা ইয়াৰ আৱশ্যকীয় সামগ্ৰী অনা হয়। ১৪ বছৰ ধৰি দিনৌ ২০ হেজাৰ মানুহে খাটিহে ইয়াৰ নিৰ্ম্মাণ কাৰ্য্য শেষ কৰে। ইমানবোৰ বহুৱা ৰাখিবলৈ মমতাজাবাদ নামে এখন নগৰ স্থাপন কৰিব লগা হয়। ইয়াক সাজোতে ৬



বুলন দৰজা (ফতেহপুৰ চিক্রি, আগ্রা)



অমৰ সিং গেট—আগ্ৰা ফোৰ্ট

কৌটিতকৈও বেছি টকা লাগে। বনুৱা আৰু টকাৰ সংখ্যাই বৰ্ত্তমান যুগৰ মানুহকো চমক লগায়। এই দুয়ো কথাই মোগল ৰজা সকলৰ সুপৰিচালিত বনুৱা সংগঠন আৰু প্ৰভূত ঐশ্বৰ্য্যৰ স্পষ্ট আভাস দিয়ে।

তাৰ বাহিৰেও ই মোগল যুগৰ স্থাপত্য (Engineering) বিদ্যাৰ উৎকৰ্ষ আৰু মোগল সকলৰ স্বেচ্ছাচাৰিতা প্ৰমাণ কৰে। প্ৰাচীন কীৰ্ত্তি বিলাকৰ বেছিভাগেই বাদছাহ সকলৰ নিজ নিজ ইচ্ছাৰ ফল। ৰাজহুৱা মত বা মঙ্গলে তাত বিশেষ ঠাই পোৱা নাই। এই বিলাক কাৰণত সকলো খিনিকে মোগল বুৰঞ্জীৰ এটা ঘাই অধ্যায় বুলিব পাৰি। তাজৰ ঘাই শিল্পী সম্বন্ধে মতভেদ আছে। কিন্তু চলিত মতে চিৰাজ নামৰ এজনকেই সেই সন্মানৰ অধিকাৰী কৰিছে।



সোধিবাই ভৱন (ফতেহপুৰ চিক্ৰি—আগ্ৰা)

ইয়াতৈ সোমোৱা গেট অতি ডাঙৰ। তাৰ গাত কোৰাণৰ নানা কথা লিখা আছে। আখৰ বিলাক তলৰ পৰা ওপৰলৈ সমান। দূৰত্বই তাত একো পৰিবৰ্ত্তন ঘটোৱা নাই। ইয়াৰ পাছৰ পৰাই সুন্দৰ বাগিছা। তাৰ মাজেদি তাজলৈ যোৱা সুন্দৰ পকী ৰাস্তা। ইয়াৰ উত্তৰ পূব কোণত প্ৰায় ৪৫০ বছৰ বয়সীয়া গছ এজোপা, সুদূৰ অতীতৰ সাক্ষী হৈ থিয় হৈ আছে। তাজৰ আগতে এটা সুন্দৰ পুখুৰী। তাৰ চাৰিওপাৰ মাৰ্ব্বলেৰে বন্ধোৱা। কিছুমান নিজৰা আৰু নানা ৰঙৰ মাছে তাক অতি ধুনীয়া কৰি তুলিছে।

আমি লাহে লাহে তাজৰ ভিতৰ সোমালোঁগৈ।

নানা ৰঙৰ মাৰ্ব্বল খটোৱাত ইয়াৰ চোতাল পথৰা হৈছে। সেই বৃহৎ ঘৰটোৰ সকলো পিনে মাৰ্ব্বলৰ প্ৰাধান্যতা। ভিতৰত কেবাটাও খোটালি। এটাত তাজৰ নানা আৰ্হি বা 'মডেল' আদি সজাই থৈছে। তাজৰ চাৰিও চুকত চাৰিটা মাৰ্ব্বলৰ প্ৰকাণ্ড মীনাৰ বা স্তম্ভ। ইহঁতৰ প্ৰত্যেকটো প্ৰায় ১৬৪ ফিট ওখ। মেৰপাক খোৱা খটখটিৰে ওপৰলৈ যাব পাৰি। ইহঁতক তাজৰ নীৰৱ প্ৰহৰী বুলি কব পাৰি। আমি ওপৰলৈ গৈ চাৰিও ফালৰ সুন্দৰ দৃশ্য উপভোগ কৰিলোঁ। ইয়াৰ সোঁ মাজৰ প্ৰকাণ্ড গম্বুজ চকুত লগা। বাহিৰ আৰু ভিতৰৰ প্ৰায় সকলো অংশতেই নানা ধৰণৰ কাৰুকাৰ্য্য খটোৱা। সোঁ মাজৰ সমাধি মন্দিৰত লগা-লগিকৈ ছাজাহান আৰু মমতাজৰ সমাধি। দুয়ো যেন দাম্পত্য প্ৰেমত নিমগন। সমাধিৰ গাত নানা ৰঙৰ পাথৰ



মমুনাৰ পাৰৰ পৰা তাজমহল

আৰু বাখৰ খটোৱা। পৰ্য্যটক সকলৰ কিছুমানে ফুলেৰে আৰু মূৰ দোঁৱাই সমাধিক সন্মান দেখুৱায়। ইউৰোপীয় সকলেও টুপী খোলা দেখা পালোঁ। সমাধিৰ চাৰিও ফালে এখন মাৰ্ব্বলৰ অতি ধুনীয়া নক্সা কটা পৰ্দ্দা। ইয়াৰ কাৰু-কাৰ্য্যই শিল্পীৰ প্ৰতিভা ভালকৈ ফুটাই তুলিছে। তাজৰ পশ্চিমে এটা ধুনীয়া মছজিদ্। গোটেই দিন আৰু মাজনিশা মানলৈকে ইয়াত ভ্ৰমণকাৰীৰ সমাৰোহ নুগুচে। বহুতে ফটো তুলি লৈ ইয়াৰ লগত হোৱা ক্ষন্তেকীয়া পৰিচয়ৰ স্মৃতি চিৰস্থায়ী কৰে। বেলি উঠি অহাৰ লগে লগে আমাৰো ভাগৰ আৰু ভোক লাগিল। কাজেই ঘৰমুৱা হবলৈ বাধ্য হলোঁ।

তাজৰ সৌন্দৰ্য্য বৰ্ণোৱা পদুম ফুলত ৰহণ সনাৰ নিচিনা। সৌন্দৰ্য্যৰ কাৰণেই ই পৃথিৱীৰ আন আন আচৰিত বস্তুৰ শাৰীত ঠাই পাইছে। বৃহৎ আকাৰৰ লগত অতি সূক্ষ্ম কাৰুকাৰ্য্যই ফেৰ মৰাত "The Moguls built like giants but finished like jewellers" বোলা কথাষাৰ অতি সঁচা যেন লাগে। এজন বিদেশী পৰিদৰ্শকে ইয়াৰ সৌন্দৰ্য্য সম্বন্ধে তেওঁৰ ঘৈনীয়েকৰ মতামত খোজে। তেওঁ উত্তৰত কয় যে তেওঁৰ কবৰৰ ওপৰত তাজৰ দৰে এটা স্মৃতি মন্দিৰ সজালে তেওঁ তেতিয়াই মৰিবলৈ সাজু আছে। আন এজনৰ মতে ভাৰতত আন একো নহলেও অকল তাজ মহলেই ভাৰত ভ্ৰমণৰ সাৰ্থকতা ঘটায়। এই বিলাকে তাজৰ সৌন্দৰ্য্যৰ পূৰ্ণ আভাস দিয়ে। তাজমহলে

কবিৰ কল্পনা ৰাজাত বিদ্রোহ ঘটোৱাটোও অতি স্বাভাৱিক। কবীন্দ্ৰ ৰবীন্দ্ৰৰ 'তাজমহল' পঢ়িলে তাৰ সাক্ষী। "হে সৌন্দৰ্য্যৰ দূত। ইয়াৰ ওপৰত কালৰ প্ৰভাৱৰ ছাঁ পৰা নাই। ই যুগ যুগ ধৰি, 'তোমাক পাহৰা নাই, তোমাক পাহৰা নাই' বোলা বাক্যহীন বাৰ্ত্তা প্ৰকাশ কৰি আছে।" ইয়াত যেন ডাঙ্গহান, সকলো প্ৰেম মূৰ্ত্তিমান হৈ উঠিছে। ই যেন পৱিত্ৰ প্ৰেমৰ এখনি নিখুঁত ছবি। কবিৰ ভাষাত কবলৈ হলে—

এক বিন্দু নয়নেৰ জল,
কালৰ কপোলতলে শুভ্ৰ সমুজ্জল
এ তাজমহল—

হোটেললৈ গৈ কলিকতাৰ বঙ্গালী পেলুৱৈ এদল লগ পালোঁ। তেওঁলোকে মাদ্ৰাজী ছাত্ৰ এদলৰ লগত ফতেহপুৰ চিকৰীলৈ যাবলৈ যোগাৰ কৰিছে। আমিও সেই সুযোগ পাই সেই দলত ভক্তি হৈ ললোঁ। তালৈ কোনো মোটৰ বা ৰেল নচলে। দল বান্ধি মোটৰ বিজাৰ্ভ কৰি গলে খৰচ বহুতো কম পৰে। আমি আটাইে লগ লাগি তাকেই কৰিলোঁ। ই আগ্ৰাৰ পৰা ২৫ মাইল দূৰ। বাট বেছ ভাল। তাৰ ছুয়ে ফালে বহুল পথাৰ। তাৰ কোনো অংশত মটৰ আৰু বহুৰৰ পেতি। মাজে মাজে পেতিয়ক সকলৰ জুপুৰি ঘৰ। বাটৰ কাষৰ কেইবা খনো সৰু হাবিত বান্দৰ আৰু ম'ৰা চৰাইৰ দল কিছুমান দেখা



দেৱানী খাচৰ ক'লা আৰু বগা শিলৰ আসন

পালোঁ। সেই ফালে বোলে ই বিলাকক কোনোৱে এলে অন্যায় নকৰে। কিছু দূৰ যোৱাত কিছুমান পকী ঘৰ অস্পষ্ট দৃশ্য চকুত পৰিল। ডুইভাৰে তাকে ফতেহপুৰ চিকৰী বোলাত ভাল লাগিল।

ইয়ালৈ আকৰৰে তেওঁৰ গুৰু ছেখ ডালিম চিষ্টীৰ দেখা কৰিবলৈ আহে। তেওঁৰ উপদেশ মতে ইয়াত এক ৰাজধানী পাতি তাত প্ৰায় ১১ বছৰ কাল কটায়। ছেখ পিছত তেওঁৰ আজ্ঞা মতেই সেই ৰাজধানী পৰিত্যাগ কৰে। ইয়াতেই ছেলিমৰ জন্ম হয়। কিছুমানে গানীৰ অভাৱতে এই ঠাই পৰিত্যাগ কৰাৰ ঘাই কাৰণ বুলি ভাবে।

ইয়াৰ ভিতৰলৈ সোমোৱা ঘাই গেটৰ নাম 'বুলান দৰওৱাজা'। অতি ওখ পকী ধটধটে এখন বগাই তাৰে যাব লাগে। বহুৎ আকাৰৰ বাবে ইয়াক এটা সুন্দৰ দালান যেন দেখি। ই ভাৰতৰ সকলো গেটতকৈ ডাঙৰ।

আকৰৰৰ দাক্ষিণাত্য বিজয়ৰ চিন স্বৰূপে 'জয় দ্বাৰ' নাম দি ইয়াক সজা হয়।

কম সময়ত সকলো চোৱাৰ আশাত আমি এজন মুছলমান 'গাইড'ৰ সহায় ললোঁ। এই ফালে 'গাইড' ঘোৱাটো এটা ব্যৱসায়। বহুতক চৰকাৰে লাইচেন্স দি গাইড পাতে। কিন্তু বহুতে ফাঁকি দিও পইছা নিয়ে। আমাৰ গাইড অৱশ্যে ইংৰাজীত সকলো বুজাবলৈ ধৰিলে। তেওঁ তাৰ বিৱৰণ যিনি মুখস্থ কৰি ঘোৱা যেন লাগিল। ইয়াৰ চাৰিও ফালে প্ৰকাণ্ড ওখ দেৱাল। মধ্যযুগৰ সকলো ৰাজধানীতেই আত্মৰক্ষাৰ বাবে দেৱাল সজা হৈছিল। মাজত এটা প্ৰকাণ্ড মছজিদ। তাৰ ওচৰতেই আকৰবে সজা তেওঁৰ গুৰুৰ সমাধি মন্দিৰ। ইয়াৰ সৌন্দৰ্য্য অতি ওখ ধাপৰ। সমাধিৰ গাত নানা ৰঙৰ বাথৰ ঘটোৱা। 'টচলাইট' বা আন কিবাৰ পোহৰত ই অপূৰ্ব্ব শোভা ধাৰণ কৰে। এখন বহুমূলীয়া কাপোৰে সমাধি ঢাকি ৰাখে। তাৰ চাৰিও ফালে মাৰ্ব্বলৰ ধুনীয়া পৰ্দা। তাৰ গাত নানা ৰঙৰ সুতা আৰু বছি আদি ওলমি আছে। হিন্দু আৰু মুছলমানৰ বঙ্গা তিৰোতা সকলে পুত্ৰ লাভৰ আশাত সেই বিলাক তাত বন্ধা বুলি শুনিলোঁ। ইয়াত প্ৰত্যেক বছৰে এখন মেলা বহে।

ইয়াৰ কিছু দূৰত আকবৰৰ হিন্দুৱাণী যোধবাইৰ বাসস্থান। ই ঘাইকৈ বন্ধা শিশুৰে তৈয়াৰী। ইয়াতেই ছাহাঁৰ বাদছাহৰ জন্ম হয়। ইয়াৰ পশ্চিম ভাগৰ এলেহে যোধবাইৰ হিন্দু মন্দিৰ। ই আকবৰৰ মহানুভৱতাৰ সাক্ষী। গোটেই ওপৰত 'হাৱা মহল' বা জুৰ লোৱা ঠাই। তাত বহি বাণী সকলে জুৰ লয় আৰু চোতালত নানা জন্তুৰ যুদ্ধ চায়। ইয়াৰ কাষতেই আকবৰৰ আন এজনী মুছলমান বাণীৰ ঘৰ। সৌন্দৰ্য্য আৰু কাৰুকাৰ্য্যত ইও চাবলগীয়া। ইয়াৰ দেৱানী খাচৰ গঢ় আৰু নিৰ্ম্মাণ কাৰ্য্য আচবিত ধৰণৰ। বাহিৰৰ পৰা ইয়াক এটা চমহলীয়া ঘৰ যেন দেখি। ভিতৰত এটা সুস্ত কেন্দ্ৰ কৰি এখন ধুনীয়া গোলেৰী। ই বাদছাহৰ মন্ত্ৰণাগাৰ। ইয়াৰ মাজৰ খুটাৰ কাৰুকাৰ্য্য চকুত লগা। কিছুদূৰ গৈ হীবান মীনাৰ পালোঁগৈ। ই প্ৰায় ৮০ ফিট ওখ। ইয়াত উঠি আকবৰে বাণী সকলৰ লগত জন্ম যুদ্ধ আদি চাই বং পাইছিল। ইয়াৰ গাত হাতী দাঁতৰ আকাৰৰ শিল পটোৱা। কিছুদূৰ আহি পাঁচ মহল বোলা ধুনীয়া দালান পালোঁহি। ই এটা ৰেৰ নোহোৱা পাঁচ মহলীয়া দালান। বুদ্ধ বিহাৰৰ লগত ইয়াৰ সাদৃশ্য থাকা যেন লাগে। এইটো অন্দৰ মহলৰ তিৰোতা সকলৰ বিলাস ঘৰ। ইয়াৰ আগত এখন শিলৰ ওখ চাং। ইও বাদছাহৰ খেমালি কৰা ঠাই। এই সকলো বিলাকে মোগল সম্ৰাট সকলৰ বিলাসিতা নিঃসন্দেহে প্ৰমাণ কৰে।

মছজিদৰ ওচৰতে এটা দ' পুখুৰী। তালৈ বহুত ওপৰৰ পৰা জাম মৰা বন্দোবস্ত আছে। তাত সৰু কাপোৰ পিন্ধি মানুহ কিছুমানে জাপ দিবলৈ সাজু হৈ থাকে। অলপ পইছা দিলেই জাপ দি এটা চাব লগীয়া দৃশ্য সৃষ্টি কৰে। এই ৰোৱৰ বাহিৰেও ইয়াত হাতীশাল, আস্তাৰল আৰু আন আন বহুতো সৰু-ৰৰ দালান আছে। ইয়াৰ দালান বিলাকত মাৰ্ব্বলৰ প্ৰাধান্যতা কম। ওচৰত মানুহ নথকাত ঠাই ডোখৰ বৰ নিৰ্জ্জন। পৰিত্যক্ত দালান বিলাকে এটা কৰুণ ভাব লৈ থিয় হৈ থকা যেন লাগে। বেলি পৰাৰ লগে লগে আমি সকলো খিনি চাই এটালৈ গৈ।

তাৰ পৰা ঘুৰি আহি আগ্ৰা পোৱাত কিছু বাতি হ'ল। আমি কিবাকিবি অলপ খাই লৈ নগৰৰ ফালৰ পৰা এপাক মাৰি আহিলোঁগৈ। হোটেললৈ আহি কলিকতাৰ বঙ্গালী এডভোকেট এজনক লগ পালোঁ। তেওঁ কিছুদিন ধৰি নানা ঠাইত ঘুৰি ফুৰিছে। তেতিয়া জোনাক বাতি, সেইটো তাজ চোৱাৰ ভাল সময় বুলি আগেয়ে শুনিছিলোঁ। বাতি প্ৰায় ১১ বজাত আমি আটায়ে তালৈ বুলি ওলালোঁ। বাতিও তাত পৰিদৰ্শকৰ যথেষ্ট সমাবেহ। জোনৰ উজ্জ্বল পোহৰে ইয়াৰ কিছুমান অংশৰ সৌন্দৰ্য্য ভালকৈ ফুটাই তোলে। তেতিয়াৰ তাজৰ দৃশ্যই নয়ন সাৰ্থক কৰা বুলি কলে বেছি কোৱা নহয়। মাজে মাজে জোনবাই মেঘৰ আঁৰত লুকায়। ই যেন তাজ আৰু জোনৰ লুকালুকি খেল। আমি তাত প্ৰায় দুঘণ্টামান কটালোঁ। কিন্তু ঠাওাই বিধিনি ঘটোৱাত ঘৰমুৱা হবলৈ বাধ্য হলোঁ।

পিছদিনা আমাৰ আগ্ৰা এবা কথা। কাজেই বাতি পুৱা ন বজাত দুৰ্গ চাবলৈ বুলি বাহিৰ হলোঁ। এই দুৰ্গ আকবৰ বাদছাহে সাজে। দিল্লীৰ দৰে ইয়াতো টিকিট কিনি ভিতৰলৈ সোমাব লাগে। ইয়াৰ এভাগ ইংৰাজ সৈন্যৰ কুহী। ই যমুনাৰ সোঁ পাৰত। দুৰ্গৰ চাৰিও ফালে দুখন ওখ শিলৰ মজবুত দেৱাল। ভিতৰৰ খন বেছি ওখ; বেলেগ বেলেগ নামৰ চাৰিখন গেটেৰে ভিতৰলৈ যাব পাৰি। ইয়াৰ ভিতৰত হৰেক ৰকমৰ বহুতো দালান আছে। আমি প্ৰথমে জাহাঙ্গীৰ মহললৈ গলোঁ। ইয়াত মোগল শিল্পৰ বিশিষ্টতা ভালকৈ ফুটি উঠিছে। আওৰংজেৰ আৰু মহাবাট্টা সকলে ইয়াৰ বহুতো ক্ষতি কৰে। ইয়াৰ চালত কিছুমান সৰু সৰু পক্ষী পুখুৰী। তাৰ পৰা তলৰ গা ধোৱা ঘৰলৈ পানী নিয়ে। মাৰ্ব্বলেৰে সজা পাচ মহল ইয়াৰ নিচেই ওচৰত। ইয়াৰ ভিতৰৰ বেৰত মোগল সম্ৰাট সকলৰ ছবি আঁকা আছে। ইয়াৰ আগতেই 'আঙুৰী বাগ' বা আঙুৰ বাগান। মাজত নিজৰা থকা এটা ধুনীয়া পুখুৰী। ইয়াৰ উত্তৰ পূবে 'সিচ্ মহল'। ইয়াৰ বেৰ আৰু আতালত সৰু সৰু আয়না লগোৱা। কিছুদূৰ গৈ 'জেচমিন টাওৱাৰ' পালোগৈ। ইয়াক জাহাঙ্গীৰে নুৰজাহানৰ বাবে সাজে। নুৰজাহানে নিজেই ইয়াৰ আৰ্হি তৈয়াৰ কৰি দিছিল। ইয়াৰ পৰা তাজৰ চকু খিৰ হোৱা দৃশ্য দেখা যায়। তাজলৈ চাই চাই ছাজাহানে ইয়াতেই প্ৰাণ এৰে।

দেৱানী খাচ বা চৰা ঘৰো ইয়াৰ ওচৰতে। ইয়াৰ বাহিৰ আৰু ভিতৰত বহুতো খোটালি। ই বাদছাহৰ বিদেশী বস্তু আদিক দেখা কৰা ঠাই। গোটেইটো মাৰ্ব্বলেৰে সজা। তাত দুখন ধুনীয়া মাৰ্ব্বলৰ সিংহাসনো আছে। ওচৰতেই বাদছাহ সকলৰ মীনা মছজিদ আৰু গা ধোৱা ঘৰ। তাৰ পানী অনা কৌশল আৰু ফুলাম নক্সা বিশেষকৈ চাবলগীয়া। বঙ্গা শিলেৰে তৈয়াৰী দেৱানী ইয়াকো ইয়াৰ কাষতে। ই বাদছাহৰ বিচাৰ ঘৰ। তলৰ ওখ বৈঠকত উজীৰ আৰু ওপৰৰ সিংহাসনত বাদছাহ বহাৰ চিন আছে। আওৰংজেবে অৱশ্য মযূৰ তিৰোতা সকলৰ বাবে সজা নাগিনা মছজিদো এটা ধুনীয়া দালান। উপাসনাৰ বাবে তাত ভাল বন্দোবস্ত আছে। ইয়াৰ কিছু দূৰত ছাজাহানৰ মোতি মছজিদ। ইয়াৰ ভিতৰলৈ জোতা খুলি সোমাব লাগে। ইয়াৰ ওপৰৰ গুম্বুজ বোৰ বেছ ধুনীয়া। পক্ষী চোতালৰ মাজত থকা পুখুৰী এটাই ইয়াৰ শোভা বঢ়াইছে। এই বোৰত বাজেও তাঁৰ বহুতো দালান আদি আছে। আওৰংজেবে ছাজাহানক বন্দী কৰি থোৱা কোঠাও দেখা পালোঁ। দুৰ্গৰ ভিতৰত কাপোৰ আৰু আন আন শিল আদিৰ বস্তুৰ কেইখনমান দোকান আছে।

দুৰ্গ দুপৰীয়া বন্ধ থাকে। বন্ধ হোৱা সময় ৰখী কোবাই জনোৱা হয়। আমি হোটেললৈ ঘিৰি আহি আগ্ৰা এবিবলৈ সাজু হলোঁ। আবেলি হোটেলৰ গাৰী এখনেৰে আগ্ৰা ছিটি ষ্টেশ্বনলৈ ৰওনা হলোঁ। এই ফালে আহিলে নগৰৰ বহু বস্তু দেখা যায়। আগ্ৰাৰ শিলৰ আৰু চিত্তৰ কাম অতি উৎকৃষ্ট। আন আন পৰ্য্যটকৰ দৰে আমিও কিবা-কিবি কিনি লৈ আগ্ৰা ভ্ৰমণৰ স্মৃতি ৰক্ষা কৰিলোঁ। যথা সময়ত ষ্টেশ্বনৰ পৰা বেল এৰি দিলে। বেল বাটৰ পৰাও কিছুদূৰলৈ তাজৰ দৃশ্য চকুত পৰে। পৰ্য্যটক সকলৰ পক্ষে ই এটা নিশ্চয় আনন্দৰ বিষয়। চাওঁতে চাওঁতে মোগল সভ্যতাৰ কেন্দ্ৰ আমাৰ দৃষ্টিৰ বহিভূত হ'ল। ট্ৰণ্ডলাৰ পৰা গাৰীয়ে মোগৰুচাই অভিমুখে আমাক বৈ নিবলৈ ধৰিলে।



ৰৱৰকৰাৰ ফু

—কৃপাৱৰ

ৰৱৰকৰা।—(আপোনাআপুনি) উস্ এই ভদ্রলোক-ফকৰ কি মমতা! কি ঔদাৰিকতা! কি স্বদেশ প্রেম! কি স্বাঁৰ ভেম! কি স্বজাতি প্রীতি! কি চিন্তাৰ ৰীতি! কি আত্মস্থিতা! কি বাগ্‌বৈখৰিতা! এওঁলোকে পাৰে গোটেইখন পৃথিৰীকে আত্মসাৎ কৰে, নাপালেও কৰে। এওঁলোকৰ পক্ষে যদি কোনো বস্তু পাৱৰ সম্ভৱ সুদূৰপৰাহত, হানি নাই, একেবাৰেই অচিনাকি এজনেই তাক পাওক, তথাপি সি যেন চিনাকি ওচৰচুৱনীয়াৰ হাতলৈ নাযায়। এওঁলোকক ধন্যকে বুলিম নে, ধন্যকে বুলিম, নে ধনকে বুলিম, মোক কোনোবাই কৈ দিব পাৰে নে? এওঁলোকক হেনেকুৱা কিবা এটা বুলিবৰ বৰ মন গৈছে। কি বুলিম কোনেও কৈ নিদিলে মই অকণশনীয়াভাৱেই বুলিম—গোৰাঁ আকাশ! এওঁলোক ধন্য! গোৰাঁ পাঁতাল, এওঁলোক ধন্য! গোৰাঁ বসাতল, সুতল, বিতল, অতল, এওঁলোক ধান, মন, কণ! বোলোঁ কিবা এটা লৰালৰিকৈ গাৱৰ বৰ দৰ্কাৰ পৰিছে; সেইদেখি গোৰাঁ, যিহকে মন যায়। আন নালাগে, পানীগোতাবাসী, হে কেঁচু কুমটি! তোমালোকেও গোৰাঁ, তোমালোকেও আমাৰে সৈতে যোগ দি আমাক উছাহ দিয়াইক!

(জয়ধ্বজৰ প্রবেশ)

জয়ধ্বজ! তুমিও গোৰাঁ।

জয়ধ্বজ।—কি গাম? সবাহ নে হচৰি?

ৰৱৰকৰা।—সেইবোৰ পিছত গাবা। সম্প্রতি গোৰাঁ, এওঁলোক ধন্য, মান্য, কান্য।

জয়ধ্বজ।—"এওঁলোক" নো কোন ৰৱৰকৰা ডাঙৰীয়া?

ৰৱৰকৰা।—"এওঁলোক—নো—কোন! এওঁলোক—নো—কোন?"—বিষম সমস্যা!

"ছিন্ন মোৰা সুলোচনে! গোদাৰৰীতীৰে,
কপোত কপোতী যথা, উচ্চ বৃক্ষ-নীড়ে।"

বোলোঁ এওঁলোক তেওঁলোকেই। এওঁলোক তোমাৰ শত্রু নহয়; মোৰ শাল্‌পতি নহয়, তেওঁৰ খুল্‌শালিয়েক নহয়; অর্থাৎ তোমা-আমাৰ কাৰো কোনো নহয়; মাথোন এওঁলোক আমাৰ ওচৰচুৱনীয়া। বোলোঁ "বঙ্গ আমাৰ, জননী আমাৰ"ৰ বর্ণাশ্রম ধর্ম্মৰ আশ্রমী।

জয়ধ্বজ।—বঙ্গালীয়ে কি কৰিলে? ডাঙৰীয়াৰ জগৰ লগালে নে কি?

ৰৱৰকৰা।—মোৰ কোনে কি জগৰ লগাব জয়ধ্বজ? মই জগৰৰ সিপাৰে। মোৰ কথা এৰি দিয়া। তেওঁলোকে জগৰ লগাইছে যদি, লগাইছে গোটেইখন অসমদেশৰ।

জয়ধ্বজ।—ভাঙি ওকৰ ডাঙৰীয়া।

ৰৱৰকৰা।—কওঁ শুনা। বাল্মীকিৰ ৰামায়ণৰ কিষ্কিন্ধ্যাকাণ্ডত সুগ্রীৱে বান্দৰবোৰক সীতাক বিচাৰিবলৈ আদেশ দিওঁতে পুৱদিশৰ এইবোৰ দেশৰ নাম কৈছিল,—

"ব্রহ্মমালান্ বিদেহাংশ্চ মালবান্ কাশিকোশলান্।
মাগধাংশ্চ মহাগ্রামান্ পুণ্ড্রাংস্ত্বাঙ্গাংস্তথৈবচ॥"

ইয়াত কামৰূপ বা প্রাগ্‌জ্যোতিষপুৰৰ নাম নাই; আন কি বঙ্গৰো নাম নাই। পশ্চিম ফালৰ বর্ণনাত আছে,—

"যোজনানি চতুঃষষ্টির্ব্বাহো নাম পর্ব্বতঃ।
সুবর্ণশৃঙ্গঃ সুমহানগাধে বরুণালয়ে॥
তত্র প্রাগ্‌জ্যোতিষং নাম জাতরূপময়ং পুরম্।
তস্মিন্ বসতি দুষ্টাত্মা নবকো নাম দানবঃ॥"

অর্থাৎ অগাধ সমুদ্রত ৬৪ যোজন বিস্তৃত সুবর্ণশৃঙ্গবিশিষ্ট ৰবাহনামৰ সুমহান পর্ব্বত আছে। তাত প্রাগ্‌জ্যোতিষ

নামৰ সুবৰ্ণময় নগৰ আছে। এই নগৰত নৰক নামৰ দুষ্ট দানৱ থাকে।

ৰামায়ণত লেখা এই প্ৰাগ্‌জ্যোতিষ, বঙালী প্ৰত্নতত্ত্বজ্ঞই কৈছে, কবিৰ কল্পনাৰ সৃষ্টি লেঠা ছিগিল।

মহাভাৰতৰ সভাপৰ্ব্বত পাণ্ডৱৰ দিগ্বিজয়ৰ প্ৰসঙ্গত কোৱা হৈছে, যে উত্তৰ ভাগৰ জয়ৰ ভাৰ পৰিছিল অৰ্জ্জুনৰ ওপৰত। পূৱভাগৰ ভাৰ পৰিছিল ভীমৰ ওপৰত।

"এবং বহুবিধান্ দেশান্ বিজিত্য পবনাত্মজঃ।
বসু তেভ্য উপাদায় লৌহিত্যমগদ্‌বলী॥"

মহাভাৰতকাৰে অনেক দেশৰ নাম কৈ তাৰ পিছত কলে যে ভীম এইদৰে বৃহৎ দেশ জয় কৰি লৌহিত্যৰ তীৰ পৰ্য্যন্ত গৈছিল।

বঙালী প্ৰাত্নতাত্ত্বিকে কৈছে যে পূৰ্ব্বভাগৰ এই লৌহিত্য অৱশ্যে ব্ৰহ্মপুত্ৰ। কিন্তু ইয়াৰ তীৰত থকা প্ৰাগ্‌জ্যোতিষ বা কামৰূপৰ উল্লেখ নাই। সেই দেখি ধৰি লব লাগিব যে তাত প্ৰাগ্‌জ্যোতিষ নাছিল। কিন্তু অৰ্জ্জুনে উত্তৰ ভাগ জয় কৰা কথাত প্ৰাগ্‌জ্যোতিষ আৰু ভগদত্তৰ কথা মহাভাৰতকাৰে উল্লেখ কৰিছে। ইত্যাদি কাৰণত প্ৰাগ্‌জ্যোতিষ ব্ৰহ্মপুত্ৰৰ পাৰত থকাটো হব নোৱাৰে। চিথিয়া বা শকভূমিৰ পূৱ ফালে মধ্য এচিয়াত প্ৰাগ্‌জ্যোতিষ আছিল বুলি ধৰি লব লাগিব।

ইয়াৰ উত্তৰত মই এই দৰে কব খোজোঁ জয়ধ্বজ। ৰামায়ণৰ প্ৰাগ্‌জ্যোতিষ আৰু নৰকৰ কথা যদি কবি-কল্পনা হ'ল, তেন্তে মহাভাৰতৰেই বা তেনে নহবৰ কাৰণ কি? বৰ ককায়েক ৰামায়ণৰটো যদি ভুল, সৰু ভায়েক মহাভাৰতৰটোও বা ভুল নহব কিয়? সেই দেখি ময়ো কওঁ, যে ৰামায়ণ আৰু মহাভাৰত দুইৰো প্ৰাগ্‌জ্যোতিষ আৰু নৰক ভগদত্তৰ বিষয়ে কোৱা কথা ভুল, আৰু দুইৰো কথা "গোলে হৰিবোল"। বিশেষতঃ, লৌহিত্যৰ পাৰলৈ ভীমক মহাভাৰতে পঠিয়াইছিল, কিন্তু ভীমে বহল ব্ৰহ্মপুত্ৰৰ সিপাৰ (য'ত প্ৰাগজ্যোতিষ আছিল) হবই নোৱাৰিলে বা নহ'ল। সেই দেখি ভীমে উত্তৰ পাৰৰ পৰাই উভতি আহিল, আৰু জয় কৰিব নোৱৰা প্ৰাগ্‌জ্যোতিষৰ কথা উল্লেখকে নকৰিলে, এনে অনুমান এটাকোতো বিস্তৰ অনুমানৰ ভিতৰত সুমাই থব পাৰি।

ইফালে কালিদাসৰ ৰঘুবংশৰ চতুৰ্থ সৰ্গত ৰঘুৰ দিগ্বিজয়ৰ বিবৰণত লৌহিত্যৰ তীৰত প্ৰাগ্‌জ্যোতিষপুৰ বুলি থিৰাংকৈ কোৱা হৈছে।—"চকম্পেতীৰ্ণ লৌহিত্যে তস্মিন্ প্ৰাগ্‌জ্যোতিষেশ্বৰঃ।" অৰ্থাৎ ৰঘুৱে লৌহিত্য পাৰ হলত প্ৰাগ্‌জ্যোতিষপুৰৰ ৰজাই ভয়ত কঁপিবলৈ ধৰিলে। আকৌ কালিদাসে প্ৰাগ্‌জ্যোতিষেশ্বৰক "ঈশ কামৰূপাণাম্" বুলিছে। পুৰণি "বঙ্গালী" (?) কালিদাসে প্ৰাগ্‌জ্যোতিষক টানি আনি কামৰূপত পেলাইছিলহি। ভুল বুলি এইটো আজিৰ নতুন বঙ্গালী প্ৰাত্নতাত্ত্বিকে ধৰি দিছে। নতুন বঙ্গালী পণ্ডিতে কয়, মধ্য এচিয়াত প্ৰাগ্‌জ্যোতিষপুৰ থকাটো সত্য কথা। বাস্তৱিকতে হয়ও।

শ্ৰীকৃষ্ণৰ দ্বাৰকা আক্ৰমণ কৰোতা শাল্বৰ আকাশত উৰি ফুৰা শোভনগৰখনৰ দৰে, কালিদাসৰ একে ফুঁতে মধ্য এচিয়াৰ পৰা প্ৰাগ্‌জ্যোতিষপুৰ উৰি আহি কামৰূপৰ আকাশত উৰি ফুৰিছিল, আৰু সেইটো বৰ বেজাৰৰ কথাও। কবি, বলিয়া আৰু প্ৰেমিকক এই বাবেই কবি স্যেকচ্‌পিয়েৰে একেশাৰীতে ঠাই দিছে। কবিয়েহে কবিক বুজে। "চোৰেহে চোৰৰ ঠেং দেখে।"

কালিকা পুৰাণত লেখিছে,—

"নিমজ্য ক্ষণমাত্ৰেন প্ৰাগ্‌জ্যোতিষপুৰং গতঃ।
মধ্যগং কামৰূপস্য কামাখ্যা যত্ৰ নায়িকা॥"

অৰ্থাৎ বিষ্ণুৱে নৰক আৰু পৃথিবীক লগত লৈ গঙ্গাত বুৰ মাৰি ক্ষন্তেকৰ ভিতৰতে প্ৰাগ্‌জ্যোতিষপুৰত ওলালহি আৰু প্ৰাগ্‌জ্যোতিষপুৰ কামৰূপৰ অন্তৰ্গত আৰু কামাখ্যা দেৱী তাৰ নায়িকা।

থাকিলেই বা কালিকাপুৰাণত এই দৰে। এইবোৰ ভুল। মাথোন সত্য সেই অৰ্জ্জুনে উত্তৰ ভাগত শকভূমিত পোৱা প্ৰাগ্‌জ্যোতিষখন। কাৰণ সেইটো বঙ্গালী প্ৰাত্নতাত্ত্বিকৰ "মন্‌মতী"।

ইয়াকে বোলে,—"কোলাৰটো পেলাই পেটৰটোলৈ আশা।" ইয়াকে বোলে—"ধ্ৰুবানি যঃ পৰিত্যজ্য অধ্ৰুবাণি নিসেবতে; ধ্ৰুবাণি তস্য গচ্ছন্তি"—অধ্ৰুবটো

তো নায়েই। ইয়াকে বোলে স্বদেশ প্ৰেম জয়ধ্বজ! ইয়াকে বোলে প্ৰত্নতত্ত্ব!

আৰু শুনিবানে বঙ্গালীৰ স্বদেশপ্ৰেমৰ বৃত্তান্ত এটা?

বাবু বীৰেশ্বৰ সেন নামেৰে বঙালী প্ৰাত্নতাত্ত্বিক এজনে বঙলা মাহেকীয়া কাকত এখনত "গীতাৰ পৰিচয়" নামেৰে প্ৰবন্ধ এটা লেখিছে। প্ৰবন্ধটো প্ৰত্নতত্ত্বৰ আমঠু আৰু মজ্জাৰে ভৰপূৰ। মোৰ যদি ভুল হোৱা নাই, তেন্তে এই বীৰেশ্বৰবাবুক জনা সন্মানৰ অধিকাৰ মই পাইছিলোঁ। মই শিৱসাগৰৰ ইংৰাজী স্কুলত পঢ়োতে বীৰেশ্বৰবাবু পুলিচৰ ইন্‌স্পেক্টৰ হৈ কিছুদিন তাত আছিল, আৰু তাৰ পিছত গোটেই অসমতে সেই কামতে তেওঁ চাকৰি কৰি ফুৰিছিল। এতিয়া তেওঁ পেঞ্চন-খোৱা বঙ্গবাসী বঙ্গালী। তেওঁৰ বয়স আশীৰ ভালেমান ওপৰত। তেওঁ বঙ্গলা মাহেকীয়া কাকতত প্ৰবন্ধ লেখে, আৰু সেইবোৰ প্ৰত্নতত্ত্বকুলীয়া। তেওঁ গীতাৰ বিষয়ে যি লেখিছে, তাৰ "মৰ্ম্মৰটো" (শ্ৰীবিষ্ণু!) সাৰ মৰ্ম্মটো এই যে গীতাখন হেনো বঙ্গালীৰ ৰচনা। তুমি জিকাৰ খাই উঠিলা কিয় জয়ধ্বজ? কালিদাসৰ কুটুম্ব সিংহল বিজয়ী বঙ্গালীৰ পক্ষে গীতা ৰচনা তো ক্ষুদ্ৰ কথা। এইটোও তুমি জানি থকা যে আমাৰ সেন মহাশয় একাঠু পানীত পৰি-মৰা বিধৰ মানুহো নহয়, অথবা গৰুৰ খোজৰ পানীত বুৰি মৰা বালখিল্ল জাতৰ মুনিও নহয়। তেওঁ অঙ্গুষ্ঠ পৰিমাণ "লিলি পুটিয়ানো" নহয়, একেবাৰেই তেওঁ একৈশহতীয়া "ব্ৰব্‌ডিগ্‌নাগী"। তেওঁৰ সিদ্ধান্তৰ গোঁজটো অনেক যুক্তি দি তেওঁ থিয় কৰি পুতিছে। সি "ন লৰন্তি ন চৰন্তি"। সেই যুক্তিবোৰৰ ভিতৰুৱা দুটা-এটাৰ বিষয়ে কওঁ;—

গীতাকাৰ বঙ্গালী। কাৰণ, বঙ্গদেশত বৰ বৰ কবিৰ জন্ম হৈছে, বৰ বৰ ধৰ্ম্মপ্ৰচাৰকৰ আবিৰ্ভাৱ হৈছে। গতিকে গীতাকাৰ বঙ্গালী হোৱাত বাধা নাই। আমিও তেওঁৰ দেশৰে বৰ বঙ্গালী কবি এজনৰ গীতাৰ এশাৰীৰে তেওঁৰ কথাৰ সমৰ্থন কৰি গাওঁ,—

"নাথ হে! প্ৰেমপথে সব বাধা ভাঙ্গিয়া দাও।
মাঝে কিছু ৰেখনা।"

আৰু এটা যুক্তি;—গীতাত কিছুমান শব্দ আছে, সেইবোৰ মাথোন বঙ্গদেশতহে ব্যৱহৃত হয়।—যেনে "অপৰ্য্যাপ্ত"। গীতাত আছে,—"অপৰ্য্যাপ্তং তদাস্মাকং বলং ভীষ্মাভিৰক্ষিতম্"। সেন বাবুৱে কয়, অপৰ্য্যাপ্তৰ অৰ্থ প্ৰয়োজনাতীত। কিন্তু গীতা পঢ়োতাই জানে যে অপৰ্য্যাপ্ত মানে পৰ্য্যাপ্ত নহয়; অৰ্থাৎ অপ্ৰচুৰ। গীতাৰ টীকাকাৰ সকলেও সেই অৰ্থকে কৰিছে।

সেন মহাশয়ৰ আৰু এটা যুক্তি যে গীতাৰ একাদশ অধ্যায়ত আছে,—

"হে কৃষ্ণ হে যাদব হে সখেতি"।

"হে" শব্দটো হেনো সম্বোধনত বঙ্গালীয়েহে ব্যৱহাৰ কৰে।

মই কওঁ হে হৰি! সেন বাবুৰ যুক্তিৰ অপায়-অমঙ্গল হৰণ কৰি তাক ৰক্ষা কৰা প্ৰভু! সকলোৱে জানে, "হে" সংস্কৃত সম্বোধন। অমৰকোষত আছে,—"সম্বোধনাৰ্থে হে হো ভোঃ।" শব্দকল্পদ্ৰুম মেদিনী কোষত আছে,—হে সম্বোধনম্, আহ্বানম্। ঈশ্বৰ কৃষ্ণৰ প্ৰণাম মন্ত্ৰত আছে,—

"হে কৃষ্ণ দ্বাৰকানাথ ক্বসি যাদব নন্দন।"

শঙ্কৰাচাৰ্য্যৰ শিৱস্তোত্ৰত আছে,—

"হে পাৰ্ব্বতী হৃদয়বল্লভ চন্দ্ৰমৌলে।"

অমৰকোষৰ অমৰ খৃষ্টপূৰ্ব্ব প্ৰথম শতিকাৰ মানুহ। এই সিদ্ধান্ত পাশ্চাত্য পণ্ডিত সকলৰ।

ইয়াৰ পাছত আৰু এটি যুক্তি আছে, শুনিবানে জয়ধ্বজ? সেইটো সকলোতকৈ ডাঙৰ। শুনা, শুনা, নতুবা তোমাৰ হেলাতে মানপী যাব।

মহাভাৰতৰ ভীষ্মপৰ্ব্বৰ ভিতৰৰ গীতা সমাপ্তিৰ পাছত, অৰ্থাৎ ভীষ্মপৰ্ব্বৰ ২৫ অধ্যায়ৰ পৰা ৪২ অধ্যায়লৈকে গীতাৰ সামৰণিৰ পাছত ৪৩ অধ্যায়ৰ প্ৰথম শ্লোকটো হৈছে,—

"গীতা সুগীতা কিম্ অন্যৈ শাস্ত্ৰবিস্তৰৈ।
যৎ স্বয়ং পদ্মনাভস্য মুখপদ্মাৎ বিনিসৃতা॥"

সেন মহাশয়ে কৈছে,—"পদ্মনাভস্য মুখপদ্মাৎ বিনিসৃতা" মানে পদ্মনাভ দত্ত নামৰ বঙ্গালী পণ্ডিত এজনৰ মুখৰ পৰা কলমৰ আগেদি এই গীতা ওলাইছে!! তুমি আকৌ জিকাৰ খাই উঠিছা, জয়ধ্বজ! ৰবা, ৰবা, স্থিৰোভৱ। আৰু শুনা। সেন বাবুৰ থিয় হবৰ টান মাটি আছে।

পদ্মনাভ দত্ত নামে বঙ্গালী এজনে হেনো সুপদ্ম-ব্যাকৰণ নামে ব্যাকৰণ এখন লেখিছিল, আৰু দুখন-চাৰিখন আন পুথিও লেখিছিল। সেইজন বঙ্গালী গ্ৰন্থকাৰ দুশ কি তিনিশ বছৰৰ আগৰ মানুহ। কিন্তু শঙ্কৰাচাৰ্য্য আছিল ৭৮৮-৮৫০ খৃষ্টাব্দৰ ভিতৰত। আৰু শঙ্কৰাচাৰ্য্যই গীতাৰ ভাষ্য লেখিছিল। এতেকে প্ৰমাণ হ'ল, গীতা বঙ্গলা পদ্মনাভ দত্তৰ ৰচনা! অলপ কাণ্ডজ্ঞান থকা লোকেই বুজে যে "স্বয়ং পদ্মনাভ" মানে পদ্মপলাশলোচন বিষ্ণু, যি "কৃষ্ণৰূপে দৈৱকীত ভৈল অৱতাৰ।" আৰু সেই দেখিয়েই "মুখপদ্মাৎ বিনিসৃতা" বোলা হৈছে।

কিন্তু মোৰ এইবোৰ কোনো কামৰ কথা নহয়। কামৰ কথা এইটোহে যে যদি কালিদাস বঙ্গালী হব পাৰে, জয়দেৱ, বিদ্যাপতি আৰু অসমীয়া অনন্ত ৰামায়ণৰ অনন্ত কন্দলি বঙ্গালী হব পাৰে, তেন্তে ভক্তবৎসল স্বয়ং পদ্মনাভেই বা বঙ্গালী পদ্মনাভ দত্ত হৈ বঙ্গালী প্ৰাত্নতাত্ত্বিকৰ হৃদয়ৰঞ্জন কৰিব নোৱাৰিব কিয়?

শেহত ময়ো সেন মহাশয়ৰ দাবী গজগজীয়া কৰিবৰ নিমিত্তে আৰু এটা যুক্তি "সৰবৰাহ" কৰিম। সেন মহাশয় অসমত আছিল। কিন্তু তেওঁ এই যুক্তিটো পাহৰিলে; নতুবা এই যুক্তি বা প্ৰমাণটো তেওঁৰ চকু এৰাই যাব নোৱাৰিলেহেঁতেন। অসমত এটা কিম্বদন্তি প্ৰচলিত আছে যে পদ্মনাভ নামেৰে এজন বামুণ আছিল। তেওঁ ৰাতি শুবৰ সময়ত পাটীত পৰি দিনৌ "শয়নে পদ্মনাভ" বুলি শোৱে। তেওঁৰ সহধৰ্ম্মিণীৰ নাম শ্ৰীমতী গেৰেলী। গেৰেলীয়ে কাৰ্য্যটো লক্ষ্য কৰি থাকি থাকি ভাবিলে যে শুবৰ সময়ত নিজৰ নামটো সেইদৰে মাতি শোৱাটোৱেই শাস্ত্ৰসম্মত। নতুবা তেওঁৰ গিৰিয়েক পদ্মনাভে "শয়নে পদ্মনাভ" বুলি নিজৰ নামটো মাতি শুব কিয়? ইয়াকে ভাবি, গেৰেলীয়ে সাহ গোটাই লৈ এদিন শোৱাপাটীত গিৰিয়েকৰ কাষতে পৰি শুবৰ সময়ত উচ্চাৰণ কৰিলে,—"শয়নে গেৰেলী।" গিৰিয়েকে শুনি আচৰিত মানি তাৰ কাৰণটো ঘৈনীয়েকক সুধিলত ঘৈনীয়েকে কাৰণটো কৈ দিলে। কথাটো শুনি পদ্মনাভ বাপুৰ ইমান হাঁহি উঠিল যে তেওঁ হাঁহি হাঁহি বাগৰি পাটীৰ পৰা মাটীত পৰিল। আমি সেন মহাশয়ক কওঁ যে তেওঁৰ গীতাৰ পদ্মনাভেই শ্ৰীমতী গেৰেলীৰ গিৰিয়েক পদ্মনাভ। অহা বাৰলৈ যদি এই অকাট্য যুক্তিটো তেওঁৰ প্ৰৱন্ধত তেওঁ সুমাই দিয়ে, প্ৰতিবাদ কৰোঁতাবোৰৰ মুখ একেবাৰেই বন্ধ হব।

জয়ধ্বজ, তুমি আকৌ হাঁহিছা? তুমি বৰ পাতল মানুহ দেওহে। তোমাক আৰু মই বলে নোৱাৰিলোঁ। শুনা আৰু এটা মনত পৰিছে দেখি এইখিনিতে কওঁ। শ্ৰীশঙ্কৰদেৱৰ সেই সুবিখ্যাত টোটয়—"মুধুদানৱ দাৰণ"ৰ শেহত ভণিতা আছে—

"হৰিকিঙ্কৰ শঙ্কৰ ঈশ পদে।
পদমিলন গায়তি চামৃত দে॥"

সেইটো শঙ্কৰদেৱৰ ৰচনা নহয়, বঙ্গালীৰহে ৰচনা, এইটো প্ৰমাণ কৰিবলৈ চৈতন্যভক্ত আমাৰ অসমীয়া এজনেই তাহানি কাকতত লেখিছিল,—"চামৃতদে" অৰ্থাৎ অমৃত দে···নামৰ কোনো বঙালীৰ ৰচনা শঙ্কৰদেৱে মুখস্থ কৰি গাইছিল। এই প্ৰমাণটোলৈকো আমাৰ সেন মহাশয়ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। কেতিয়াবা তেওঁৰ কামত লাগিব।

জয়ধ্বজ—ডাঙৰীয়া তো দয়ালু আৰু পৰহিতব্ৰতী। ডাঙৰীয়াই জাৰি-ফুকি বঙ্গালী প্ৰত্নতত্ত্ববিদ্ কেইজনৰ বিষ ননমায় কিয়?

বৰবৰুৱা।—নমাব পাৰোঁ, কিন্তু বিপদ আছে।

জয়ধ্বজ।—আছে যদি সি থাকিল; কিন্তু পৰৰ উপকাৰ হ'ল তো।

বৰবৰুৱা।—তোমাৰ কথা শুনি তেন্তে মাৰি পঠিয়ালোঁ ফু। ফল—শ্ৰীকৃষ্ণাৰ্পণমস্তু! ফু—উ—উ—উ!

ভাৰতীয় নৃত্য

—শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী

'ভাৰতীয়' শব্দটো বৰ ব্যাপক হলেও বৰ্ত্তমান ক্ষেত্ৰত ইয়াৰ সংক্ষিপ্ত অৰ্থ ধৰি লোৱা হৈছে—ভাৰতৰ বাহিৰত উল্লিখিত নাম দি যি বোৰ নাচ দেখুৱা হয়। ভাৰতৰ প্ৰতি প্ৰদেশতে নানা জাতিৰ মানুহৰ বাস। সেই সকলৰ ভাষা, আচাৰ-ব্যৱহাৰ প্ৰভৃতিৰ নিচিনা নৃত্য গীতো কাৰো লগত কাৰো নিমিলে। এনে অৱস্থাত ওৰে সাম্ৰাজ্য খনক এডোখৰ ঠাই ভাবি তাৰ কোনো এঠাইৰ কোনো আচাৰ ব্যৱহাৰ বা নাচ-গানক আদৰ্শ ধৰি লৈ 'ভাৰতীয় নৃত্য' নাম দিলে মুঠতে ভুল হব পাৰে। কিন্তু সিবোৰ সাধাৰণ প্ৰশ্ন এৰি দি আৰ্য্যাৱৰ্ত্ত বা দাক্ষিণাত্যৰ সৰ্ব্বজন প্ৰচলিত নৃত্যৰ কোনো অংশ নে সকলোখিনিকে নাইবা প্ৰতি প্ৰদেশৰে বিভিন্ন নাচৰ অলপ অলপ অংশ লৈ 'ভাৰতীয় নৃত্য'ৰ আদৰ্শ গঢ়ি তুলিব পাৰিলে সি যে এটা দৰ্শনীয় আৰু শিক্ষনীয় বিষয় হৈ উঠিব পাৰে তাত কোনো সন্দেহ নাই। কিন্তু বৰ্ত্তমানে এনে নাম দি, বিশেষকৈ আমেৰিকাৰ আমদানি চলৎচিত্ৰৰ মাজেদি, যি বোৰ নাচৰ প্ৰচাৰ হব



ভাৰতৰ মনসা দেৱী



ভাৰতৰ ৰতি দেৱী

লাগিছে সিবোৰৰ আদৰ্শ ভাৰতৰ পৰ্ব্বতীয়া জাতি বিলাকৰ নাচৰ কোনো কোনো অংশৰ লগত মিলাব পাৰিলেও আৰ্য্য ভাষাভাষী বিলাকৰ মাজত যে সেই নাচ নাই তাক কোৱা বাহুল্য মাথোন। কিছুদিন আগত উদয়শঙ্কৰ চক্ৰবৰ্ত্তী নামৰ এজন বঙ্গালী ডেকাই মিচ্ এনা পাভলোভা নামৰ এগৰাকী ৰুচীয়া দেশৰ প্ৰধানা নৰ্ত্তকীৰ পৰা এই ভাৰতীয় নাচ শিকি আহি কলিকতাত তথাকথিত 'ভাৰতীয় নৃত্য' দেখুৱাই শিক্ষিত সমাজৰ আগত প্ৰশংসা পাইছিল। তাৰ উপৰিও তেওঁ য়ুৰোপলৈ ভাৰতীয় নাচ দেখুৱাবৰ নিমিত্তে গৈছে।

এতিয়া আমাৰ প্ৰশ্ন হ'ল—এই নাচৰ আদৰ্শ কি? অলপমান চিন্তা কৰিলেই এই প্ৰশ্নৰ উত্তৰ পাব পাৰি। দেশত প্ৰচলিত 'বাই-নাচ' বা যাত্ৰা-থিয়েটাৰৰ নাচৰ

(ইও ক্ৰমে ইংৰাজী নাচৰ অনুকৰণত উন্নত) ছবি বায়স্কোপত উঠালে এনে বেয়া দেখি যে, তাক নাচ নুবুলি



ভাৰতৰ অগ্নি দেৱতাৰ সহচৰ

অকল অলপ অলপ মূৰ লৰোৱা আৰু লাহে লাহে ভৰিৰ খোজ পেলোৱাৰ হে ছবি বুলি কব পাৰি। এই নাচ দেখি নিত্য নতুন অনুসন্ধানকাৰী পাশ্চাত্য সমাজে সন্তুষ্ট হব নোৱাৰিলে। তেওঁলোকে প্ৰথমে "অৰিয়েণ্টেল্ ডেন্স্" (oriental-dance) নাম দি যিবোৰ 'মিচৰীয়' নাচ দেখুৱাবলৈ ধৰিছিল, তাৰ লগত অজন্তা গুহাৰ গাত অকা



পাশ্চাত্য দেশৰ হেৰা (Hera)

নৃত্যৰ চিত্ৰবিলাকৰ, সু হ'ক বা কু হ'ক, বঙ্কিম দেহকাঠৰ যোগ লগাই দি এটা অদ্ভুত 'ভাৰতীয় নাচ'ৰ সৃষ্টি কৰিলে। নাচিবৰ সময়ত নানা ভঙ্গিৰ কোনো এটা অঙ্গভঙ্গি আনিব লাগে; কিন্তু তাকে চাই নাচোনৰ কায়দা ঠিক কৰা কঠিন। যিহ'ক পাশ্চাতবাসী—'নাছোড়বান্দা'। যি হ'ক এটা ঠিক



ইজিপ্টৰ দেৱী হেথাৰ (Hathor)



ইজিপ্টৰ দেৱী ইচিচ (Isis)

কৰি ইংৰাজী তাল-মানৰ উপযুক্ত এটা কিবা উলিয়ালে। চাৰিও ফালে এই নতুন নাচৰ আদৰ বাঢ়ি গ'ল। "ফেন্সি-ড্ৰেচ-বল" নাচত বিলাতত বহুত বিলাসিনী ৰমণীয়ে এই নাচ নাচি দৰ্শক সমাজক মোহিত কৰিবলৈ ধৰিলে। ১৯১৬ শতাব্দীত যেতিয়া য়ুৰোপ, আফ্ৰিকা, আৰু এচিয়া বাসী মহাযুদ্ধত লিপ্ত আছিল তেতিয়া সেই চনৰ ১লা মাৰ্চ্চ মাহত 'স্কেচ্' (sketch) নামৰ কাকত এখনৰ এটা সংখ্যাত (The Sketch Suppliment—March 1—1916) Goddesses in New york : Designs for a mythological Dress Ball নামেৰে কিছুমান ছবি ওলাইছিল।



ইজিপ্টৰ দেৱী ইচিচৰ ২য় সাঁজ • •

ভাৰতবাসী যেতিয়া নিশ্চিন্ত তেতিয়া ভাৰতৰ নাম দি আন দেশ বাসীয়ে তাৰ আদৰ্শ গঢ়ি তুলিছে।

ইয়াৰ পিছতে মিচ্ ক্লাৰ্ক নামৰ এগৰাকী য়ৰোপীয় মহিলাই সাপৰ নাচ নাম দি (Snake dane) কিছুমান নাচ দেখুৱায়। তেঁৱে এজন সাপ ডিঙিত মেৰাই লৈ সাপ নচুৱাৰ নিচিনা সাজি নানা অঙ্গি-ভঙ্গি কৰি, হালি-জালি অদ্ভুত এবিধ নাচ নাচিছিল। এই নাচৰ আভাস লৈ তাৰ লগত কছাৰী, টিপিৰাই বা মণিপুৰী নাচৰ কোনো কোনো অংশ লৈ বৰ্ত্তমানে ব্ৰাহ্ম নাচ বা ব্ৰহ্মদলৰ ভাৰতীয় নাচ নাম পাই আহিব ধৰিছে কবি ৰবীন্দ্ৰনাথ এই নাচৰ প্ৰৱৰ্ত্তক বুলি বহুতে কয়। তেওঁ ত্ৰিপুৰা ৰাজবাড়ীত গৈ পাহাড়ী নাচ দেখি এই নাচ প্ৰবৰ্ত্তন কৰিছে বুলি কিছুমানে কব খোজে। এই নাচ নাচিবলৈ বিশেষ শিক্ষাৰ প্ৰয়োজন নকৰে। গতিকে স্কুলৰ সৰু সৰু ছোৱালী বিলাকক শিকাবলৈ বিশেষ সুবিধা হৈছে, কিন্তু গাভৰুৰ নিমিত্তে এই নাচ বৰ ভাল বুলি মনত নধৰে।

আমাৰ প্ৰদেশত দেওধানী, নটী প্ৰভৃতিৰ নাচ বহুদিনৰ পৰা প্ৰচলিত। এইবোৰ নাচ মানুহৰ লালসা জগাই তুলিবৰ উপযুক্ত। নিলা-লাস্যৰ ক্ৰিয়া সমূলি নাই। কিন্তু কছাৰণী নাচ নানা ৰস পূৰ্ণ। এইবোৰ নাচৰ সংমিশ্ৰণত বহুত নতুন নাচ সমজুৱা সকলৰ আগত ডাঙি ধৰিবৰ এতিয়াও যথেষ্ট সময় আছে বুলি আমাৰ বিশ্বাস। ১৯২৪ খৃষ্টাব্দত শ্ৰীযুত জ্যোতিষ প্ৰসাদ আগৰৱালাই গুৱাহাটী অসম ক্লাবত শ্ৰীযুত প্ৰসন্নলাল চৌধুৰীৰ "নীলাম্বৰ" নামৰ নাটখন অভিনয়ৰ সময়ত, পোণ প্ৰথমে এবিধ নাচ নাচি সুনাম অৰ্জ্জন কৰিছিল। নাচৰ লগত সঙ্গিত চলিছিল ৰসৰাজ ডাঙৰীয়াৰ প্ৰসিদ্ধ গীত—"সোন বৰণীয়া কেতেকী ধুনীয়া।" অৱশ্যে মন্তব্য কৰিবৰ কিছু বিষয় থাকিলেও অসমৰ ৰঙ্গমঞ্চত সেয়ে প্ৰথম। তাৰ পিছত যোৱা পুহত শিৱসাগৰত অসম সাহিত্য সভা বহা উপলক্ষে তাৰ 'ড্ৰামেটিক ক্লাবৰ' দ্বাৰা 'উষা' নাট অভিনয়ৰ সময়ত শ্ৰীযুত পাৰ্ব্বতীপ্ৰসাদ বৰুৱাই চিত্ৰলেখা ৰূপে সেই নাচ নাচিছিল। যদিও ব্ৰহ্ম নাচৰ পৰা এই নাচ অলপমান বেলেগ তত্ৰাচ চাবলৈ বেয়া নাছিল। পিছে তাৰ অলপ সংশোধনৰ আৱশ্যক যেন লাগে। এটা কথা সঙ্গীতজ্ঞ সকলে মনত ৰাখিব লাগিব—"(গয়াদুত্তিষ্ঠতে বাদ্যং, বাদ্যাদুত্তিষ্ঠতে লয়ঃ। লয়তাল সমাৰব্ধং ততো নৃত্যং প্ৰৱৰ্ত্ততে॥ আন এটা কথা আৰু প্ৰধান কথা—অৰূপস্য নৃত্যং ব্যৰ্থম্। যথা—নৃত্যে-নালমৰূপেণ সিদ্ধিৰ্নাট্যস্য ৰূপতঃ। চৰ্ব্বধিষ্টা নবন্নত্যং নৃত্যমন্যদ্বিড়ম্বনা। (মাৰ্কণ্ডেয় পুৰাণম্)



ভাৰতৰ প্ৰভাতৰ দেৱী উষা

স্বৰ্গতত্ত্ব আৰু নৰকতত্ত্ব বা যাম্য লীলা

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্ৰীযুত পদ্মেশ্বৰ গগৈ বি-এ,

মহাভাৰতত কোৱা আছে যে এই মনুষ্যদেৱতা ইন্দ্ৰৰ ওচৰত অস্ত্ৰশিক্ষা কৰিবৰ নিমিত্তে অৰ্জ্জুনে দেৱযান পথেদি ভাৰতৰপৰা স্বৰ্গলৈ গৈছিল, আৰু এই ইন্দ্ৰালয় স্বৰ্গত পাঁচ বছৰ থাকি যথাশাস্ত্ৰ সমুদায় অস্ত্ৰশিক্ষা কৰি ভাৰতলৈ প্ৰত্যাবৰ্ত্তন কৰিছিল। দেৱাসুৰৰ যুদ্ধত এই নৰদেৱতা ইন্দ্ৰক সাহায্য কৰিবৰ নিমিত্তে অযোধ্যাপতি মহাৰাজ দশৰথে স্বৰ্গলৈ গমন কৰিছিল আৰু ক্ষতাঙ্গুষ্ঠ হৈ অযোধ্যালৈ ঘূৰি আহিল। চৰকে লিখিছে যে ঋষিসকলে গোট খাই মহৰ্ষি ভৰদ্বাজক আয়ুৰ্ব্বেদ শিক্ষা কৰিবলৈ এই বিদ্যাবিশাৰদ ভূদেৱ ইন্দ্ৰৰ ওচৰলৈ স্বৰ্গলৈ পঠাইছিল আৰু তেওঁ যথাসময়ত ভাৰতলৈ প্ৰত্যাবৰ্ত্তন কৰি তাক প্ৰচাৰ কৰিলেহি। ঋক্‌বেদত লিখা আছে যে এই মনুষ্যদেৱতা ইন্দ্ৰই স্বয়ং অগস্ত্য ঋষিক সম্বোধন কৰি কৈছিল, ভ্ৰাতা অগস্ত্য, তুমি হিতকাৰী বন্ধু হৈ কিয় মোক অমান্য কৰিছা ? —"কিং নো ভ্ৰাতৰগস্ত্য সখা মন্নতি মন্যমে,"—(ঋক্‌বেদ ১ মণ্ডল ১৭০ সূক্ত)। অথৰ্ব্ববেদত লিখা আছে ভাৰতীয় কোনো এজন বণিকে পণ্য দ্ৰব্যাদি আজি কালিৰ দৰে হিমালয়ৰ সিপাৰে মানস মাশকাদি (তিৰ্ব্বতাদি) দেশত বেচিবৰ কাৰণে নিবৰ সময়ত মহাৰাজ ইন্দ্ৰৰ সহায়তা প্ৰাৰ্থনা কৰি কৈছিল 'হে ইন্দ্ৰ, তুমি প্ৰধান লোক, তোমাৰ ৰাজআলিবাটত থকা দস্যু আৰু হিংস্ৰজন্তুবিলাকৰ হাতৰপৰা ৰক্ষা কৰি, মোৰ ধনাগমৰ সুবিধা কৰি দিয়া'।' যেনে "ইন্দ্ৰমহং বণিজং চোদয়ামি, নুদনং অৰাতিং পৰিপন্থিনং মৃগম্, স ঈশানো ধনদা অস্তু মহ্যম্"—(অথৰ্ব্ববেদ)। কৃষ্ণযজুৱে কৈছে যে মহৰ্ষি বশিষ্ঠই এই ইন্দ্ৰক প্ৰত্যক্ষ দেখিছিল, যেনে, "ঋষয়ো বৈ ইন্দ্ৰং তং বশিষ্ঠ প্ৰত্যক্ষং অপশ্যৎ"—(কৃষ্ণযজু)

[মুঠতে ত্ৰিদশালয়ত মহালয় বা বৈজয়ন্তীধাম ইলাবৃতবৰ্ষ বা বৰ্ত্তমান মঙ্গোলিয়াৰ ভিতৰত]

মহাভাৰতত কৈছে যে মহাৰাজ নহুষে ইন্দ্ৰত্ব প্ৰাপ্ত হৈ পিতৃলোকত বা মঙ্গোলিয়াত ৰাজত্ব কৰিছিল, ইয়াৰপৰা 'ইন্দ্ৰ' এটি আখ্যা বিশেষ বুলিও কব পাৰি, কিয়নো বৈদিক কালত প্ৰভূত পৰাক্ৰমশালী বিদ্বান পুৰুষক এই আখ্যা প্ৰদান কৰা হৈছিল। শতপথ ব্ৰাহ্মণত লিখিছে 'ক্ষত্ৰং হীন্দ্ৰ,' 'ইন্দ্ৰৰাজন্য' ইত্যাদি।

মহৰ্ষি কশ্যপৰ এক পুত্ৰৰ নাম 'বিবস্বান'। এই বিবস্বানৰ দুজন পুত্ৰ আছিল, মনু আৰু যম। যম মনুৰ বৈমাত্ৰেয় ভ্ৰাতা, গতিকে মনুৰ দৰে যমো এজন মনুষ্যদেৱতা। মানুহে কয় মানুহ মৰি যমৰ ঘৰলৈ যায়, কিন্তু যিহেতু যম মনুষ্যদেৱতা আৰু সেই অনুসৰি মৰণশীল, তেনেস্থলত যম নো মৰি কাৰ ঘৰলৈ যায় ? অথৰ্ব্ববেদত কৈছে "যো মমাৰ প্ৰথমো মৰ্ত্ত্যানাং যঃ শ্ৰেয়ায় প্ৰথমো লোকমেতম্, বৈবস্বতং সংগমনং জনানাং যমং ৰাজানঃ।" কৃষ্ণযজুৱে কৈছে যে পিতৃলোকবাসী দেৱতাসকলে যমক ৰাজপদত বৰণ কৰিবৰ নিমিত্তে মন্ত্ৰণা কৰিলে "তস্মাৎ যম পিতৃণাং ৰাজা" (অৰ্থাৎ এই হেতু যম -পিতৃলোক বা মঙ্গোলিয়াৰ ৰজা), এই মঙ্গোলিয়া বিশ্বৰ সকলো প্ৰাণীৰ উৎপত্তি নিদান বা আশ্ৰয় বুলি পিতৃলোক নামে প্ৰখ্যাত। যেনে "দৌ নঃ পিতা জনিতা নাভিৰত্ৰ বন্ধনং"—(ঋক্‌বেদ) "সৰ্ব্বস্যজনয়িতৃত্বাৎ পিতৃত্বম্" অৰ্থাৎ সকলোৰে উৎপাদক বুলি 'দৌ' (মঙ্গোলীয়া) পিতা বা পিতৃলোক। সেই কাৰণে বায়ু পুৰাণত ইয়াক "ভুবনৈৰ্ভূতভাবনঃ" বুলি কৈছে অৰ্থাৎ ভুবনত থকা মনুষ্য পশু পক্ষ্যাদি সকলো প্ৰাণীৰ উৎপত্তিস্থান। জীৱিত বা মৃত পিতৃসকল তাত বাস

কৰাৰ কাৰণে সি পিতৃলোক নহয়। গতিকে পিতৃলোক প্ৰেতলোক নহয়। এই পিতৃলোক তিনিখন যেনে—তিব্বত, তাতাৰ আৰু মঙ্গোলিয়া। তাৰ ভিতৰত মঙ্গোলিয়াই মুখ্য পিতৃলোক। সৰ্ব্বপ্ৰথমে উত্তৰ সমুদ্ৰৰপৰা আণ্টাই পৰ্ব্বতৰ সানুভাগৰপৰা উঠে। এই মুখ্য পিতৃলোক মঙ্গোলিয়াত অনেকেই ৰাজত্ব কৰিছিল। মনুষ্যদেৱতা যম প্ৰথমতে এই পিতৃলোকৰেই ৰজা হৈছিল। কিন্তু পিছত দেৱাসুৰৰ যুদ্ধত অসুৰবিলাক বৈমাত্ৰেয় ভ্ৰাতা দেৱতাসকলৰ দ্বাৰা পৰাভূত হৈ নিজৰ অধিকৃত ঠাই আৰু ঘৰ দুৱাৰবিলাক পৰিত্যাগ কৰি দূৰদেশত উপনিবেশ পাতিলেগৈ। সিহঁতৰ সেই ত্যক্ত ঠাইবিলাক সেই সময়ত মানস সৰোবৰৰ উত্তৰ আৰু দক্ষিণৰ বাড়ৱানলযুক্ত সমুদ্ৰময় ভূমিখণ্ডৰ ভিতৰত পৰিছিল আৰু তাক নৰক বোলা হৈছিল। আচাৰ্য্য ভাস্কৰৰ 'সিদ্ধান্ত শিৰোমণি' বোলা গ্ৰন্থত এই বিষয় বিশদৰূপে বৰ্ণিত আছে, যেনে, "বসন্তি মেৰৌ সুৰামৰ্দ্ধ সংখ্যা ঔৰ্ব্বে চ সৰ্ব্বে নৰকা সদৈত্যাঃ"—(সিদ্ধান্ত শিৰোমণি) এই "ঔৰ্ব্ব" বা বাড়ৱানলৰ উৎপত্তি সম্বন্ধে ঔৰ্ব্ব ঋষি বিষয়ক এটা পৌৰাণিক আখ্যায়িকা আছে। অসুৰবিলাকে এৰি যোৱা সেই নৰক প্ৰদেশখনো মঙ্গোলিয়াৰ ৰজা মনুষ্য দেৱতা যমৰ অধিকাৰত বা শাসনত আছিল। এই প্ৰদেশেই ভৌম নৰক নামে প্ৰখ্যাত। এয়েই বৈদিক প্ৰাথমিক যুগৰ কথা। উক্ত ঠাইবিলাক অতিশয় জলময় আৰু অতি অস্বাস্থ্যকৰ আৰু দ আছিল কাৰণে নৰক নামে অভিহিত। কোনোৱে কোনোৱে কয় যে তাৰ নৰকাসুৰ নামে ৰজা এজনৰ নামানুসাৰে ঠাইখনৰ নামো নৰক হৈছে। মহৰ্ষি বায়ুৱে কৈছে যে মেৰু বা আণ্টাই পৰ্ব্বতৰ দক্ষিণে আৰু মানস সৰোবৰৰ উত্তৰত থকা এই নৰক ভূমিবিলাকৰ সুশাসনৰ নিমিত্তে মনুষ্য দেৱতা ৰজা যমে তাত এখন পুৰী নিৰ্ম্মাণ কৰাইছিল আৰু তাৰ নাম ৰাখিছিল "সংযমনী পুৰ", আৰু এইখনেই নৰকৰ ৰাজধানী।

যেনে, (ক) "দক্ষিণেন পুনৰ্মেৰো মানসস্যৈব মূৰ্দ্ধনি।
বৈবস্বতো নিবসতি যমঃ যমনে পুৰে॥
(বায়ু পুৰাণ)

"বস্বৌকসা বা শক্ৰস্য যাম্যা সংযমনী তথা॥"
(বিষ্ণু পুৰাণ)

মনুষ্যদেৱতা ৰজা যমে শিষ্টবিলাকৰ পালন আৰু দুষ্টৰ দমনৰ নিমিত্তে এই নৰক ভূমিত এটা কাৰাগাৰ নিৰ্ম্মাণ কৰাইছিল।

"যত্ৰ ৰাজা বৈবস্বতো যত্ৰ অৱৰোধনং দিবঃ—"
(ঋক্‌বেদ)

আৰু এটা কথা, গুৰুতৰ অপৰাধীবিলাকৰ প্ৰাণদণ্ডৰ আজ্ঞা যম আৰু শিৱ উভয়েই দিছিল। সেই কাৰণেই মনুষ্যদেৱতা যম আৰু শিৱ উভয়েই বেদাদি গ্ৰন্থত "মৃত্যু" এই বিশেষণ বিশিষ্ট হৈছে, আৰু এই দৰেই যমৰ দ্বাৰা মানুহৰ মৃত্যু সম্পাদিত হয় বুলিয়েই পিছত মানুহৰ মাজত প্ৰচাৰিত হ'ল যে 'মানুহ মৰি যমৰ ঘৰলৈ যায়।' গতিকেই বেদত এজন ঋষিয়ে প্ৰাণদণ্ডদাতা এনেকুৱা যমক 'মৃত্যু' আখ্যাৰে সম্বোধন কৰি নমস্কাৰ কৰিছে। যম আৰু শিৱ উভয়েই যে মৃত্যু উপাধিধাৰী আছিল তাক বেদত আৰু বৃহদাৰণ্যক উপনিষদতো উল্লেখিত হোৱা দেখা যায়।

যেনে,—"সোমো ৰাজা বৰুণো ৰাজা মহাদেব উত
মৃত্যুৰিন্দ্ৰ—"
(অথৰ্ব্ব বেদ)

"যানি এতানি দেৱতা ক্ষত্ৰাণি ইন্দ্ৰো বৰুণঃ সোমোৰুদ্ৰঃ পৰ্জ্জন্যো যমো মৃত্যুৰীশান" ইতি—(বৃহদাৰণ্যকোপনিষদ্)

যজুৰ্ব্বেদীয় কথোপনিষদৰ "যম-নচিকেত-সংবাদ" পাঠৰ পৰা জনা যায় যে নচিকেত ভাৰতৰ পৰা দেৱযান পথেদি এই যমৰ নগৰলৈ গৈছিল, আৰু তাত কেইদিনমান যমৰ অতিথি স্বৰূপে থকাৰ পিছত যমৰ ঘৰলৈ গৈ যমক "ভগৱান্ মানুহ মৰি কলৈ যায় ?" বুলি সুধিলে। তাৰ উত্তৰত যমে কলে "ই অতি গুহ্য বিষয়, মই নিজেই এইটো কব নোৱাৰোঁ, কেৱল ময়ে নালাগে পৰম যোগী শিৱ আৰু ব্ৰহ্মাদি দেৱতাবিলাকেও ইয়াৰ বিষয়ে নাজানে, আনৰ কথানো কি কম ?"

"যে যং প্ৰেতে বিচিকিৎসা মনুষ্য ইত্যাদ্যাঃ। দেবৈৰত্ৰাপি বিচিকিৎসিতং পুৰা নহি সুজ্ঞেয়মনুৰেব ধৰ্ম্মঃ।"
(কথোপনিষদ্)

এতিয়া বুজা গ'ল যে 'মানুহ মৰি যমৰ ঘৰলৈ যায়' এইটো পূৰ্ণভাৱে মিছা হলেও এই প্ৰবাদৰ মূল কিছু আছে। সেইটো এই—যেতিয়া ধৰ্ম্মৰাজ যমে গুৰুতৰ অপৰাধীৰ বিচাৰ কৰাৰ পিছত 'প্ৰাণদণ্ডৰ' আদেশ দিছিল, সেই অপৰাধীয়ে প্ৰাণ হেৰুৱাইছিল। সহজ কথাত কবলৈ গলে যমৰ আদেশেই অপৰাধীৰ মৃত্যুস্বৰূপ আছিল। এয়েই মৃতকৰ যমৰ ঘৰলৈ যোৱাৰ মূল, সেই কাৰণেই যমলোক প্ৰেতলোক নামে অভিহিত। প্ৰকৃতপক্ষে, প্ৰেতলোক আৰু তাত প্ৰেতৰ অৱস্থানাদি আৰু সেই প্ৰেতৰ উদ্দেশ্যে দ্ৰব্যাদি প্ৰদান কৰা প্ৰেতকাৰ্য্যাদি অবৈদিক কথা, গতিকে মিছা। ই কেৱল যাজকৰ উদৰ তৃপ্তিৰ নিমিত্তে কল্পিত (the whole ceremonial is a priestly fabrication to get money)। সবিশেষ "বৈদিক ৰহস্য সন্দৰ্ভ"ৰ "প্ৰেতগণ আৰু প্ৰেতলোক" ৮২-৯৬ পৃষ্ঠা চাওক।

এটা লৌকিক দৃষ্টান্তৰ দ্বাৰা কথাটো বিশদৰূপে বুজোৱা যাওক। এজন মানুহৰ এটা সুন্দৰ ঘোঁৰা আছিল। এদিন তেওঁৰ ঘৰত তেওঁৰ গুৰুদেৱ আহি উপস্থিত। ঘোঁৰাটো দেখিবৰ পৰা গুৰুৰ মন মোহিত হৈ আছিল আৰু তাক লাভ কৰিবৰ কাৰণে দিনে ৰাতিয়ে চিন্তা কৰিছিল। কিন্তু যিহেতুকে ঘোঁৰাটো গৰাকীৰ বৰ আদৰৰ আছিল গুৰুৱে কোনো প্ৰকাৰে তাক হস্তান্তৰ কৰিবৰ উপায় নেদেখিছিল। তথাপি সেইদিনা গুৰুদেৱে শিষ্যক কলে, "প্ৰেতলোকত থকা তোমাৰ মৃত পিতামহে মোক স্বপ্নত মাতি কলে যে তেওঁৰ হেনো ঘোঁৰাত উঠিবৰ বৰ ইচ্ছা হৈছে। এই হেতুকে মোক তেওঁৰ পৌত্ৰ তোমাৰ পৰা তোমাৰ ঘোঁৰাটো নি যথা সুখে উঠি ফুৰিবলৈ কৈছে, তাকে কৰিলেই হেনো তেওঁৰ মনোবাঞ্ছা পূৰ্ণ হব।" এনেয়ে গুৰু দানৰ পাত্ৰ, তাতে আকৌ পিতামহৰ বাক্য, এনে অৱস্থাত একো নকৈ সেই প্ৰিয়তম ঘোঁৰাটো গুৰুদেৱক প্ৰদান কৰিলে। গুৰুদেৱে ঘোঁৰাত উঠি ৰং মনেৰে ঘৰমুৱা হ'ল। ইফালে ঘোঁৰাৰ শোকত কাতৰ হৈ বুদ্ধিমান শিষ্যই এডাল লোৰ শলা হাতত লৈ পিছদিনা গুৰুগৃহত উপস্থিত হ'লগৈ, আৰু গুৰুক যথাবিহিত অভিবাদন কৰি কলে "প্ৰভো, মই যোৱা কালি স্বপ্নত দেখিলোঁ যে মোৰ পিতামহ ঠাকুৰে ঘোঁৰাৰপৰা পৰি গুৰুতৰ আঘাত পাইছে, তেওঁৰ সোঁ ভৰিটো ভগ্নপ্ৰায় হৈ গৈছে। তেওঁ মোক কলে যে জলা জুইত এডাল লোৰ শলা ৰঙ্গাকৈ তপত কৰি গুৰুদেৱৰ সোঁ ভৰিটো দগ্ধ কৰি দিবা, মোৰ ভগা ভৰি ভাল হৈ যাব, ইত্যাদি। সেই গতিকে প্ৰভো আহক, আৰু বিলম্ব নকৰিব, শীঘ্ৰে আপোনাৰ সোঁ ভৰিটো এই তপত শলাডালেৰে দগ্ধ কৰি দিওঁ।" কোৱা বাহুল্য যে গুৰুদেৱে, তেওঁৰ সকলো চতুৰতা, শিষ্যই বুজিছে বুলি ভাবি বেছি কথা নকৈ ঘোঁৰাটো শিষ্যৰ হাতত পুনৰ প্ৰদান কৰিলে, আৰু এইদৰে আগন্তুক বিপদৰ হাতৰ পৰা অব্যাহতি ললে।

প্ৰেতৰ বা মৃতৰ শাসক স্বৰূপে কোনো দেহধাৰী যম, বা প্ৰেতালয় বা যমালয় নামে, অন্তৰীক্ষত বা শূন্যত তেওঁৰ কোনো আলয় নাই, এই দুয়োটাই কল্পিত কথা, ই অশ্ৰুত আৰু অযৌক্তিক, গতিকে সম্পূৰ্ণ মিছা। ই যাজকৰ উদৰ তৃপ্তিৰ নিমিত্তে কল্পিত বাক্য মাত্ৰ। কিন্তু বেদত এনেকুৱা মন্ত্ৰও দেখা যায় যি মন্ত্ৰই মৃতৰ প্ৰেতলোকলৈ বা শূন্যস্থ যমালয়লৈ গমন সমৰ্থন কৰে, যেনে, "অগ্নে পিতৃণাং লোকমপি গচ্ছন্তু যে মৃতাঃ"—(অথৰ্ব্ববেদ) অৰ্থাৎ 'হে অগ্নি, মৃতসকল পিতৃলোক বা শূন্যস্থ নৰকলৈ যাওক' ইত্যাদি। ঋগাদি চাৰি বেদৰ ঠায়ে ঠায়ে এই নিচিনা কিছুমান মন্ত্ৰ দেখা যায় সঁচা, কিন্তু কোৱা বাহুল্য যে এই নিচিনা বা এই জাতীয় মন্ত্ৰসমূহ যি সকলৰ দ্বাৰা ৰচিত হৈ বেদত ঠাই পাইছে সেই সকল বৈদিক মধ্য যুগৰ বা শেষ যুগৰ লোক বা ঋষি। তেওঁলোকে নিশ্চয় পাহৰিছিল যে তেওঁলোক ভাৰতৰ সুদূৰ উত্তৰ প্ৰদেশত থকা পিতৃভূমি মঙ্গোলিয়াৰ পৰা অহা আৰু ভাৰতত তেওঁলোকে উপনিবেশ হৈ পাতিছিলহি।

স্মৃতিত লিখা আছে "যমঃ সংযমতামহম্" অৰ্থাৎ নিয়ামক সকলৰ ভিতৰত ময়েই (আত্মাই) যম। মানুহে 'যম যম' কথা শুনি মিছাতে উদ্বাউল হয়, কাৰণ যাৰ মন সংযমিত সেইজনেই প্ৰকৃত যমপদবাচ্য।

(ক) "যমো যম ইতি শ্ৰুত্বা বৃথা হৃদ্‌বিজতে জনঃ।
আত্মা চ যমিবো যেন তথৈব যম স্মৃতঃ॥"

(খ) ন যমং যমমিত্যাহুৰাত্মা বৈ যম উচ্যতে।"
(আপস্তম্ব স্মৃতি)

এই আত্মাৰূপ যমলোকৰ মাজত আত্মা চিত্ৰ অৰ্থাৎ বিচিত্ৰৰূপে গুপ্ত কাৰণে আত্মাই পুৰাণাদিত "চিত্ৰগুপ্ত" নামে আখ্যাত। এই হিচাপে বিশ্বৰাজ্য বা আত্মালোকেই যমালয় বা যমলোক নামে অভিহিত।

ওপৰত দিয়া কথাবিলাকৰ পৰা সুস্পষ্টভাৱে সিদ্ধ বা প্ৰমাণিত হ'ল যে ব্ৰহ্মলোক বা উত্তৰ চাইবেৰিয়াৰ পৰা আৰম্ভ কৰি তিব্বত পৰ্য্যন্ত ভূভাগত ব্ৰহ্মলোক, গোলক, সূৰ্য্যলোক, চন্দ্ৰলোক, ইন্দ্ৰলোক, যমলোক নামে যিবিলাক লোক লোকান্তৰ আৰু সেইবিলাকৰ ৰজা বা অধিপতি বিলাকৰ বিষয় যি লিখা আছে সেই সকলোবিলাকেই ভৌম আৰু এই পৃথিবীৰে, কদাপি শূন্যস্থ নহয় বা হব নোৱাৰে। স্বয়ং বেদ আৰু বেদৰ ব্যাখ্যা স্বৰূপ ব্ৰাহ্মণাদি গ্ৰন্থ যে ইয়াৰ দীপ্যমান প্ৰমাণ তাক দেখুৱা হ'ল। এই স্বৰ্গত থকা দেশবিলাকত চলাচলৰ সুবিধাৰ অৰ্থে ভাৰতৰ পৰা ব্ৰহ্মলোক আৰু ব্ৰহ্মলোকৰ পৰা ভাৰত পৰ্য্যন্ত বিস্তৃত পিতৃযান আৰু দেৱযান নামে যিবিলাক পথ ব্ৰহ্মাদি বিভিন্ন ৰজাৰ দ্বাৰা বিভিন্ন সময়ত তৈয়াৰ হৈছিল সেই পথ-বিলাকেও এই ইন্দ্ৰাদি স্বৰ্গলোকৰ আৰু তাৰ অধিপতি-বিলাকৰ ভৌমত্ব প্ৰমাণ কৰিছে। ইন্দ্ৰাদি স্বৰ্গলোকৰ দেৱতাবিলাকেই, দেৱযানাদি পথেদি ভাৰত প্ৰবেশ কৰি, তাত উপনিবেশ পাতিছিল আৰু "ভূদেৱ" "ভূসুৰ" বা "ভূস্থানদেৱতা" আখ্যা পাইছে। সহজ কথাত স্বৰ্গৰ বা মধ্যস্থানবাসী দেৱতাসকল আৰু ভাৰতৰ বা ভূস্থানৰ দেৱতাবিলাক অভিন্ন আৰু এক। এক পিতৃ-মাতৃজ, কদাপি ভিন্ন নহয়।

বিবিধ

—শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন

মহাত্মা—কৰ্ম্মী পুৰুষসকল সাধাৰণ লোকতকৈ অগ্ৰগামী হৈ ওপজে। তেওঁলোকৰ মোল পৰবৰ্ত্তী কালৰ লোকেহে পূৰাকৈ বুজিব পাৰে। এক যুগৰ, "দবৰদস্ত্", আইন নমনা ক্ৰম্‌ৱেলৰ, জাতীয় বীৰ বুলি, এই যুগৰ লোকে প্ৰস্তৰ মূৰ্ত্তি ৰাখিছে। একালৰ "একষ্ট্ৰিমিষ্ট" আৰু "এজিটেটৰ" সুৰেন্দ্ৰনাথেও, নিজ মত বাহাল ৰাখি, বুঢ়া বয়সতহে উদাৰ নীতিৰ বিচক্ষণ ৰাজনৈতিক বুলি ৰজা-ঘৰতো প্ৰসিদ্ধি লাভ কৰিব পাৰিছিল।

মহাত্মাৰ বিষয়ে মানুহৰ মতামত ভালেই হওক বা বেয়াই হওক, তেওঁৰ বিষয়ে এটা কথাত সকলোৰে একে মত—মহাত্মাই ভাৰতৰ চকু মুকলি কৰিলে; ভাৰতবাসীক নতুন এটা বাট দেখুৱালে।

আগেয়ে ভাৰতীয় ৰাজনৈতিকৰ সকলো শক্তি কাকত-বক্তৃতা আৰু আবেদন-নিবেদনতে আৱদ্ধ আছিল। মহাত্মাই সেই নীতি লুটিয়াই পেলালে। তেওঁ সকলোকে হাতে কলমে দেখুৱাই দিলে যে ই আবেদন-নিবেদনৰ কাম নহয়; মুক্তিলাভলৈ আত্মবল লাগে, স্বাৰ্থত্যাগ লাগে আৰু আশাশুধীয়া প্ৰকৃতি লাগে। দেশ এখনৰ উদ্গতি হবলৈ যে এই কেইটা সমল নহলে নহয়, এই কথা মহাত্মাৰ মাৰাত্মক শত্ৰুৱেও নুই কৰিব নোৱাৰে।

মহাত্মা নিজেই নিজ নীতিৰ পূৰ্ণ আদৰ্শ। তেওঁ সাধাৰণ মানুহৰ বহুত অগ্ৰগামী। মানুহে মহাত্মাৰ মোল ভালৰূপে পলমেহে বুজিব।

নিম্নশিক্ষা—সকলোৱে স্বীকাৰ কৰিব—সকলো দেশকে উধাবলৈ প্ৰথমতে শিক্ষা লাগে। দুৰ্ভাগ্যক্ৰমে, অসম দেশৰ কৰ্ম্মীসকলৰ শিক্ষাৰ কথা ভাবিবৰ আজৰি

নাই। স্বৰাজ হলেই সকলো হব—স্বৰূপ কথা। কিন্তু সেই স্বৰাজলৈকো যে গুৰিতে শিক্ষাকেহে লাগে। 'শিক্ষা' বোলোতে সম্প্ৰতি নিম্ন শিক্ষাৰহে কথা কোৱা হৈছে।

চমুকৈ কবলৈ হলে, প্ৰজাশিক্ষাৰ অৰ্থে, আমাৰ দেশত এই কেইটা কামেই চুচৰি বাগৰি হৈ উঠিছে—(১) অভিধান আৰু ব্যাকৰণ, এই দুখন ঘাই সাহিত্য-শাস্ত্ৰ ওলাল ; (২) নিম্ন শিক্ষাৰ উপযোগী ভালেখিনি পাঠ্য পুথি ওলাব লাগিছে ; (৩) স্কুলৰ শিক্ষকে স্কুলত বৈজ্ঞানিক প্ৰণালীৰে শিক্ষা দিছে ; (৪) আজিকালি আগতকৈ সৰহ ল'ৰা-ছোৱালীয়ে গাৱঁলীয়া স্কুলত পঢ়িছে। এইবিলাক সমলেৰে বন্ধা ভেটিত আমাৰ দেশত নিম্ন শিক্ষাৰ কাম ভালে দিন ভাল ৰূপে চলি আহিছে। সেই দেখি, এতিয়া সেই পুৰণি ভেটিকে আৰু এখোপ ওখ কৰিবৰ হ'ল।

মধ্য স্কুললৈকে গাৱঁলীয়া স্কুলবিলাককে সকলো দেশৰে শিক্ষাৰ ঘাই ঠাই বুলিব লাগে। দেশৰ নিচেই অলপ ল'ৰা-ছোৱালীয়েহে হাই স্কুলত পঢ়ি বিশ্ববিদ্যালয়ত সোমাব পাৰে ; সৰহখিনিৰ শিক্ষা গাৱঁলীয়া স্কুলতে শেষ হয়। সেই দেখি, বিলাতৰ ফালৰ উন্নত দেশবোৰত এই শাৰীৰ যিবিলাক স্কুল আছে, তাৰ পাঠ্য আমাৰ দেশৰ সেই শ্ৰেণীৰ পাঠ্যতকৈ অনেক ওপৰ খাপৰ। সেই বাবে, সেইবিলাক দেশৰ গাৱঁলীয়া স্কুলত পঢ়ি অহা ল'ৰাবোৰে ভালেখিনি কথা জানে, শুদ্ধকৈ লিখিব পঢ়িব পাৰে, সকলো লাগতিয়াল বিষয়ৰ অলপ অচৰপ আভাস পায়, আৰু যিহতে ধৰে তাকে নিয়াৰিকৈ কৰিবলৈ পাকৈত হৈ পৰে। কিন্তু, আমাৰ দেশৰ সেই শ্ৰেণীৰ স্কুলৰ পঢ়া সাং হলে, ল'ৰাবোৰে সিহঁতৰ আধাৰো আধা কথা নাজানে। ইয়াৰ কাৰণ এয়ে যে সেই দেশৰ পাঠ্যবোৰ ওখ আৰু এই দেশৰ তল খাপৰ।

শিক্ষা বিভাগৰ ভিতৰে বাহিৰে সকলো শিক্ষিত মানুহে এই কথালৈ কাণ কৰিবৰ হ'ল।

(ক্ৰমশঃ)

পাৰ কৰি দে মোক সউ পাৰলৈ

—কবিতা

—শ্ৰীযুত গণেশ চন্দ্ৰ গগৈ

.....নাৱৰীয়া ঐ,
পাৰ কৰি দে মোক সউ পাৰলৈ ;
বেলি মাৰ যায় যায়,
আৰুতো সময় নাই,
কাকুতি কৰিছোঁ হে'ৰ নাথাকিবি বৈ ;
ল' তুলি ক'ত তোৰ আছে বঠা, ছৈ।
—পাৰ কৰি দে মোক সউ পাৰলৈ।
.....নাৱৰীয়া ঐ,
নাই আৰু বেছি পৰ নিশা হবলৈ,
আকাশৰ তলে তলে,
বগলীয়ে দলে দলে,
বেলি হয় বুলি দেহি কোৱাকুৱি কৈ ;
চাচোন আহিছে উৰি নিজা বাঁহলৈ।
—পাৰ কৰি দে মোক সউ পাৰলৈ।
.....নাৱৰীয়া ঐ,
ফেনে ফোটোকাৰে ভৰা বাৰিষাৰ নৈ,
দে তোৰ নাৱ মেলি,
কৰ আৰু কত বেলি,
থাকিলে মিছাতে বহি অবুজন হৈ,
ঘোপমাৰা এদ্ধাৰত যাম কেনেকৈ ?
পাৰ কৰি দে মোক মোক সউ পাৰলৈ।
.....নাৱৰীয়া ঐ,
এটি দুটি কৰি কত ঘাট পাৰ হৈ,
লাগিছে ভাগৰ বৰ,
কৰচোন খৰধৰ,
মেট্‌মৰা ভাৰ মোৰ সিপাৰত থৈ,
পাৰিলে জিৰণি লওঁ এঘৰত গৈ।
পাৰ কৰি দে মোক সউ পাৰলৈ।
.....নাৱৰীয়া ঐ
সুধিছ—আহিছো কিয় পাৰ হবলৈ ?
শুন তেনে নাৱৰীয়া,
—মোৰ কোনো নাই কিয়া,
যি আছিল সিও গ'ল বুকু ভাঙ্গি থৈ,
কি কৰিম ইপাৰত কোন আছে ঐ।
পাৰ কৰি দে মোক সউ পাৰলৈ।

শিশুৰ আহাৰ

[আগৰ সংখ্যাৰ পাছৰ পৰা]

—ডাঃ শ্ৰীযুত সন্তোষ কুমাৰ চক্ৰবৰ্ত্তী এম-বি

সন্তান ভূমিষ্ঠ হলে তাৰ খাদ্যৰ বাবে মাক বাপেকে চকু দিয়া উচিত। এই কথা সকলোৱে জনা উচিত যে পোৱাতীৰ পিয়াহেই কেচুৱাৰ উত্তম খাদ্য। ইচ্ছা কৰিলে প্ৰায় সকলো পোৱাতীয়ে নিজৰ সন্তানক পালন কৰি তুলিব পাৰে। যদি পোৱাতীৰ পিয়াহৰ পৰাই শিশুৰ শৰীৰ পুষ্ট নহয় তেনেহলে সেই ক্ষেত্ৰত অভিজ্ঞ চিকিৎসকৰ পৰামৰ্শ লব লাগে। সকলো সময়তে সকলো প্ৰকাৰ শিশুৰ প্ৰতিপালনৰ কাৰণে একে ব্যৱস্থা বিধান কৰিব নোৱাৰি। প্ৰতিজন শিশু একোটা সুকীয়া প্ৰাণী ; এতেকে তাৰ কোনো চিকিৎসা বিধান কৰোঁতে এই কথা মনত ৰাখিব লাগে। ডাক্তৰৰ বিনা উপদেশে আঠ মাহৰ ভিতৰত কোনো কেচুৱাকে মাকৰ পিয়াহৰ পৰা একৰাব নালাগে। যদি শিশু ৰুগীয়া হয়—তাৰ ভাল দৰে কোষ্ঠ পৰিষ্কাৰ নহয় আৰু মাকৰ পিয়াহ খায়ো চেৰেলা হৈ যায় তেনেহলে মাকৰ পিয়াহ খোৱাৰ পিছতে শোধিত গৰুৰ গাখীৰ (modified milk) অতিৰিক্ত আহাৰৰূপে খাবলৈ দিব। শিশুক মাকৰ পিয়াহৰ পৰা একেবাৰে বঞ্চিত কৰা বাঞ্ছনীয় নহয়।

কেচুৱাক কোনো এটা বন্ধা সময়ৰ মূৰত পিয়াহ খাবলৈ দিব লাগে। প্ৰতিবাৰতে তাক হেঁপাহ পলুৱাই মাকৰ পিয়াহ খাবলৈ দিব। উপজিবৰ সময়ত ভাল স্বাস্থ্যৱান শিশুৰ ওজন প্ৰায় ৴৩৷৷০ সেৰ (৭ পাঃ)। সন্তান প্ৰসৱৰ প্ৰথম কেইদিনমান মাকৰ পিয়াহত গাখীৰ নধৰে, সেইবাবে শিশুৱে ইচ্ছামতে খাবলৈ নোপোৱাত তাৰ ওজন কিছু কমে। সেই সময়ত কেচুৱাক চুগাৰ অব্ মিল্ক (sugar of milk) তপত পানীত গুলি নিতৌ ৪ বাৰকৈ দিব লাগে। দিয়া সময়—নিশা ১২ বজাত আৰু গধূলি ৬ বজাত, যেতিয়া পোৱাতীৰ পিয়াহত লাহে লাহে গাখীৰ হবলৈ ধৰে, তেতিয়া কেচুৱাক নিৰ্দ্দিষ্ট সময়ৰ মূৰত নিতৌ ৬ বাৰকৈ পিয়াহ দিব। খুওৱাৰ সময়—পুৱা ৬টা আৰু ৯টা ; দিনৰ ১২টা, ৩টা আৰু ৬টা আৰু নিশা ১০টা। শিশুৰ বয়স দুমাহ পূৰা নোহোৱালৈকে এই নিয়মে আহাৰ দি থাকিব। শিশু বাঢ়ি অহাৰ লগে লগে সি একেবাৰতে সৰহকৈ খায় ; সেইবাবে তিনি মাহৰ পৰা পাঁচ মাহলৈকে শিশুক নিতৌ পাঁচবাৰকৈহে পিয়াহ দিব লাগে। খুওৱাৰ সময় যথাক্ৰমে—ৰাতিপুৱা ৬ বজা আৰু ১০ বজা, আবেলি ২ বজা আৰু ৬ বজা ; নিশা ১০ বজা। ছমাহৰপৰা বাৰ মাহলৈকে কেচুৱাক ৰাতিপুৱা ৬ বজা আৰু ১০ বজাত, আবেলি ২ বজা আৰু ৬ বজাত এই চাৰি সময়ত চাৰিবাৰ পিয়াহ দিব। ইয়াৰ উপৰিও দেহ পুষ্টিৰ কাৰণে ভিন ভিন বয়সত তলত দেখুওৱা মতে তাক অতিৰিক্ত আহাৰ যোগাব।

১। দুমহীয়া কেচুৱাক চাহৰ চামুচেৰে এচামুচ (one tea-spoonful) সুমথিৰা বা বিলাতী বেঙ্গেনাৰ ৰস সমান পৰিমাণে পানী মিহলাই খুৱাব। ৰাতি পুৱাৰ প্ৰথম দুবাৰ পিয়াহ খুওৱাৰ মাজ সময়ত অৰ্থাৎ ৮ বজাত এই খাদ্য দিব আৰু তাক লাহে লাহে এচামুচৰ পৰা চাৰি চামুচলৈ বঢ়াই নিব।

২। পাঁচ ছমাহৰ মাজত ভালকৈ সিজোৱা মিহি চাউলৰ ভাত, ভাতৰ মণ্ডা, লুথৰী, বাৰ্লি নাইবা আন অনুৰূপ শ্বেতসাৰযুক্ত আহাৰ (starchy cereal) দিয়া উচিত। পিয়াহ খুওৱাৰ ঠিক আগতে ৰাতিপুৱা ১০ বজাত আৰু

আবেলি ৬ বজাত তাকে দিব লাগে। প্ৰথম দিনা চাহৰ চামুচেৰে (tea-spoon) এচামুচ দিব। তাৰ পিছত তাক ক্ৰমে বঢ়াই ডাঙৰ চামুচেৰে (Table spoon) ছচামুচৰ জোখলৈ নিব লাগে। ভাতৰ মণ্ডাৰ লগত ইচ্ছা কৰিলে পানীৰে পাতলোৱা গৰুৰ গাখীৰ অলপ মিহলাব পাৰি। লাহে লাহে গাখীৰত মিহলোৱা পানীৰ পৰিমাণ তাকৰকৈ আনিব লাগে আৰু অৱশেষত পানী নিদিয়া খাটি গাখীৰ খোৱাত শিশুক সজ কৰি আনিব লাগে। মণ্ডাৰ লগত চেনি মিহলাব নালাগে।

৩। শিশু ছমহীয়া হলে তাৰ খাদ্য তালিকাত কিছু পাচলিৰ চুপ বা জোল যোগ কৰিব পাৰি। শিশুক পাচলিৰ জোল আবেলি ছবজাত দিব। ডাঙৰ চামুচেৰে (table spoon) ছচামুচৰ পৰা আৰম্ভ কৰি ক্ৰমে চাৰি চামুচলৈ বঢ়াব লাগে। কেচুৰা আঠমহীয়া হলে এবাৰ মাকৰ পিয়াহৰ সলনি এপিয়লা গৰুৰ গাখীৰ দিব। এই ক্ষেত্ৰতো গাখীৰৰ লগত ৪ ভাগ পানী মিহলাব ; পিছত লাহে লাহে পানী কমাই নি নিৰ্ভাজ গাখীৰ দিব লাগে। প্ৰতি পিয়লাত এপোৱাতকৈ সৰহ গাখীৰ নদিব নালাগে। শিশু নমহীয়া হলে দ্বিতীয় বাৰৰ মাকৰ পিয়াহৰ সলনি তাক পিয়লাৰ পৰা খাটি গৰুৰ গাখীৰ খুওৱা অভ্যাস কৰাব। যদি শিশুৰ দেহৰ ওজনৰ ব্যতিক্ৰম নঘটে আৰু খোৱা বস্তু সহজে জীৰ্ণ নিয়াব পাৰে, তেন্তে এই অৱস্থাত সি নিতৌ এসেৰকৈ গাখীৰ খোৱা যুগুত।

৪। দহ আৰু বাৰ মাহৰ ভিতৰত তলত দিয়া বস্তু শিশুৰ খাদ্য তালিকাত যোগ দিব।

বাতিপুৱা আৰু নিশা—ভাত, বাৰ্লি, নাইবা সিজোৱা গম। ইয়াৰ লগত কিস্কিং এঁৰা গাখীৰ মিহলাব।

গধুলি—ভালকৈ সিজোৱা পাচলি চাকনিৰে উত্তমৰূপে চাকি অলপ পৰিমাণে দিব। ডাঙৰ চামুচেৰে দুই তিনি চামুচ সিজোৱা আলু সপ্তাহে দুই তিনবাৰকৈ দিলেও বেয়া নহয়।

এই খিনিতে এটা কথাটেল মন কৰিব লাগে যে টিউবাৰ কুল'চিচ আৰু গাখীৰৰ পৰা হোৱা আন আন নৰিয়াৰ হাত সাৰিবৰ কাৰণে গাখীৰ তপতাই হে শিশুক খাবলৈ দিব লাগে। কোনো ডবল বয়লাৰত (double boiler) গাখীৰৰ পাত্ৰৰ চাৰিওফালে পানী ৰাখি ১৫ মিনিট তপতালেই সি ব্যৱহাৰৰ উপযোগী হয়। শিশুক কেৱা বাৰো, তপত কৰা পানী দিব লাগে।

আৰম্ভক হলে দিনত টোপনিৰ পৰা জগাইয়ে তাক নিৰ্দ্দিষ্ট সময়ত খাবলৈ দিব লাগে। কিন্তু বাতি তাক ইচ্ছামতে টোপনি যাবলৈ দিব। শোৱাৰ আগখিনিতে তাৰ লগত বৰ খেমালি কৰা ভাল নহয় ; তেনে কৰিলে তাৰ টোপনিৰ ব্যাঘাত ঘটিব। আহাৰৰ পিছত শিশুৰ খাৰ কাপোৰ-কানি সোলোকাই তাক শুৱাই থবলৈ কাৰবাৰ কৰিব।

কৃত্ৰিম উপায়ে পিয়াহ খুওৱা

মোৰ মতে, যি শিশুৰ মাকৰ পিয়াহ নাই—জন্মৰ পৰা ১২ মাহলৈকে, অৱস্থা অনুসৰি গৰুৰ গাখীৰ শোধন কৰি তাৰ আহাৰৰ ব্যৱস্থা কৰিব লাগে। গাখীৰৰ ব্যৱস্থা কৰাৰ আগেয়ে ছটা কথালৈ মন কৰিব লাগে—শিশুৰ পুষ্টি সাধনৰ কাৰণে কিমান খিনি গাখীৰ লাগিব আৰু পিয়াহ পলাবলৈ কিমান খিনি পানীয়া বস্তুৰ (fluid) দৰকাৰ। সাধাৰণতঃ শিশুক তাৰ দেহৰ ওজনৰ প্ৰতি সেৰে দেড় ছটাকৰ (৩ আউন্সৰ) অনুপাতে গাখীৰ লাগে। প্ৰথম ছদিনত শিশুক দিনটোৰ ভিতৰত প্ৰায় আঠসেৰ পৰিমাণৰ পানীয়া বস্তু লাগে আৰু তাক নিয়মিত সময় অন্তৰে অন্তৰে প্ৰতিবাৰে এছটাকৈকে দিব লাগে। ইয়াৰ পিছত দ্বিতীয় মাহত শিশুৰ পানীয়া খাদ্যৰ পৰিমাণ ৷৵০ দহ ছটাকলৈ আৰু তৃতীয় মাহত ৷৵০ বা ৷৵০ ছটাকলৈ বঢ়াব লাগে। ৪ৰ্থ মাহৰ পৰা ১২শ মাহলৈ পানী আহাবৰ পৰিমাণ ৸০/০ ছটাকবপৰা /১ এসেৰলৈকে হব লাগে। শিশু ডাঙৰ হৈ অহাৰ লগে লগে প্ৰতিবাৰৰ আহাবৰ পৰিমাণ বঢ়াই নিব লাগে আৰু ইপিনে খুওৱা বাৰৰ সংখ্যা কমাব লাগে।

ওপৰত দেখুওৱা মতে শিশুৰ দেহৰ ওজনৰ অনুপাতে তাৰ প্ৰয়োজনীয় গাখীৰৰ পৰিমাণ স্থিৰীকৃত হলে সেই গাখীৰৰ লগত আৱশ্যকীয় পৰিমাণৰ বিশুদ্ধ উত্তোলা পানী মিহলাই, শিশুক সেই সময়ত (গাখীৰ আৰু পানী একেলগে) মিশানখিনি পনীয়া আহাৰ (fluid) লাগে তাক খুৱাই লব লাগে। উক্ত পনীয়া বস্তুত প্ৰতি কুবি আউন্সত (প্ৰায় ৷৵০ ছটাক) আধা ছটাককৈ কুঁহিয়াৰ চেনি মিহলাব লাগে। শিশুৰ কোষ্ঠ পৰিষ্কাৰ নহলে, অভিজ্ঞ ডাক্তৰৰ পৰামৰ্শ লৈ উক্ত পনীয়া বস্তুৰ লগত গাখীৰৰ সৰ বা কড্‌লিভাৰ অয়েল মিহলাব লাগে।

ওপৰত যি কথা কোৱা হ'ল তলত দিয়া তালিকা চালে তাক ভাল দৰে বুজা যাব। এবাৰত মিশানখিনি পনীয়া খাদ্য ধৰকাৰ তাক একেলগে বটলত ভবাই লব। মিশান বাৰ শিশুক খুৱাব লগীয়া হয় সিমানটা বটল হলে ভাল। আৱশ্যকীয় পৰিমাণৰ গাখীৰ (মাখন নোতোলা), চেনি আৰু পানী এটা মুখত ঢাকনি দিয়া ডবল বয়লাৰত ভবাব। বয়লাৰত ভবোৱা গাখীৰৰ চাৰিওফালৰ পানী ১৫ মিনিট সময় উতলাব। বয়লাৰ নহলে কেৱাহাত পানী উতলাহো তাত গাখীৰ তপতাব পাৰি। আগেয়ে তপত পানীবে ধোৱা আৰু তপতে থকা বটলত প্ৰয়োজনীয় জোখৰ গাখীৰ ভবাব আৰু তাত পৰিষ্কাৰ ডুলাৰ লুবা (pellets) সোমাই দিব। তাৰ পিছত বটলবিলাক পানীত দি চেঁচা কৰি লব আৰু ব্যৱহাৰৰ সময়লৈকে চেঁচাকৈয়ে বাখিব।

জীৱনৰ এছোৱা

—গল্প

—শ্ৰীযুত নকুলচন্দ্ৰ ভুঞা

(১)

দিখৌৰ কায়ত চন্দ্ৰ বৰুৱাৰ ঘৰ। দেউতাক আইতাকৰ একেটি পুতেক মাথোন চন্দ্ৰ বৰুৱা। জীয়েক পুতেকলৈতো ৰাক বাপেকৰ মৰম-স্নেহ আৰু যত্ন অবৰ্ণনীয় আৰু অনুকৰণীয়। মাক বাপেকৰ মৰম চেনেহৰ কথা বিজাই ল'বলৈতো জগতত একো বস্তুৰেই নাই। এনে দেৱদুলভা পিতৃ-মাতৃৰ চেনেহ কেতিয়াবা চাৰৰ সুযোগ মিলে, সেতিয়া মাক-বাপেকৰ মাথোন আলাসৰ লাক পুতেক একেটি হয়। গোটেই মৌজাটোৰ ভিতৰত এই বাবেই সকলোৰে মুখত শুনা যায়, ওঠৰ বছৰীয়া চন্দ্ৰ বৰুৱা, আজিও মাক-বাপেকৰ কেচুৱা, আজিও যেন চন্দ্ৰ বৰুৱাক মুখত ললে ওকণিয়ে খায়, মাটিত থলে পকৱাই খায়। বাক-বাপেকৰ আদৰ সাদৰত চন্দ্ৰ বৰুৱাই কেতিয়াও অভাব বোলা বস্তুটো খুণাকৰেও গম নাপাইছিল। এই বাবেই পিলিঙা ডেকাৰ স্বাভাৱিক স্বভাৱত, বহুতে চন্দ্ৰ বৰুৱাক দুষ্ট বুলি আখ্যা দিছিল। চন্দ্ৰ বৰুৱা দুষ্ট! কাৰণ, চন্দ্ৰ বৰুৱাই কাৰো ফিটাহি মৰা কথা সহিব নোৱাৰিছিল। মিছা কথাত বহুন সনা মানুহক বয়সত বা মানত ওপৰ হলেও, চন্দ্ৰ বৰুৱাই মুখে মুখে "জবাব" দিছিল। বিশেষকৈ সমমীয়া বিলাকে ভাবিছিল, চন্দ্ৰ বৰুৱাটো বৰ অসভ্য ; কাৰো মুগলৈ নাচায়, মুখে মুখে কথা কাটি যায়।

এইবাবে দাখী কোন? চন্দ্ৰ বৰুৱাক দেউতাকে সকবে পৰা শিকাইছিল—সেই খণ্ড তেওঁবিলাকৰ ঘৰ বৰ মানী আৰু পৰাক্ৰমী। যদিও এতিয়া অৱস্থা আগৰ দবে নহয়, তথাপি কাৰো ঘৰত আজিলৈকে তেওঁৰ বংশৰ মানুহে হাত পতা নাই। আন কি কেতিয়াবা অভিমানী দেউতাকে কৰ খোজে, সমাজৰ শ্ৰেষ্ঠ গোঁসাই ব্ৰাহ্মণ সকলেও আনৰ ওচৰত দক্ষিণালৈ হাত পাতি, নিজক তলনৈ নমাই লয় ; এই বাবেই অনেক সময়ত হেনো গোঁসাই ব্ৰাহ্মণ সকলৰ মন, কুলত শ্ৰেষ্ঠ হলেও, কাৰ্য্যত হীন হোৱা দেখা যায়। কিন্তু, নিজ সত্তৰ নিজ গুৰুৰ প্ৰতি পুতেকৰ যেন সদায় শ্ৰদ্ধা থাকে তাৰ শিকনি নিদিয়াকৈ নাথাকে। আইতাকে সদাই পুৱা গধুলি

চন্দ্ৰ বৰুৱাক শিকায়, "কেতিয়াও মিছা কথা নকবি। চুৰি, বেশ্যাৰ এশ হাতৰ দূৰত থাকিবি। বেয়া কামত মন দিলে বা কৰিলে, ঘৰৰ উজ্জ্বল নামত, পৱিত্ৰ বংশত মানুহে কলঙ্ক ৰটিব।" ইত্যাদি।

চন্দ্ৰ বৰুৱাই ক-খ কিতাপ লোৱাৰে পৰা, সদায় এই শিকনি আইতাক দেউতাকৰ পৰা পাই আহিছে।

(২)

চন্দ্ৰ বৰুৱাই "মেট্ৰিকুলেছন" পৰীক্ষা পাছ হোৱাৰ খবৰ ওলোৱাৰ দহদিন মানৰ পিছতে, হঠাতেই জ্বৰ হৈ দেউতাক ঢুকায়; আইতাকো জ্বৰতেই দেউতাকৰ মাহেকীয়া সকামৰ ভিতৰতে ঢুকাল।

প্ৰথমতে চন্দ্ৰ বৰুৱাই দেউতাকৰ শোকত চকু পানী টুকিছিল। আইতাক ঢুকোৱাত চন্দ্ৰবৰুৱাই বেজাৰ কৰিবলৈ পাহৰিলে। মানুহৰ লগত কথা পাতোতে কন্দাৰ সলনি হাঁহে হে। কোনে বুজিব চন্দ্ৰ বৰুৱাৰ চকুৰ পানী আজি কিহে শুকুৱালে।

গাৱঁৰ মানুহে চন্দ্ৰ বৰুৱাক বিপদত আগুৰি ধৰিলেহি। সকাম-নিকামৰ দিহা দিলেহি, পইছা আছে নে নাই সকাম কৰিবলৈ, কোনেও নুসুধিলে! গাৱঁৰ টেঙ্গৰ বুঢ়া মৌজাদাৰে, চন্দ্ৰ বৰুৱাৰ মাটি কেইদৰাৰ আশাত, সকামৰ সকলো খৰচ নিজে উপযাচি দিলেহি। বংশ গৌৰৱ ৰাখিবলৈ ৰাইজে যেনেকৈ ক'লে, সেই দৰেই চন্দ্ৰ বৰুৱাই মাক-বাপেকৰ সকাম কৰিলে। সকলোৱে ভাল সকাম হ'ল বুলি চন্দ্ৰ বৰুৱাৰ নাম ললে।

মিতিৰ কুটুম, অঙ্গহি বঙ্গহি সকলোৱে পিতৃ-মাতৃৰ সকামত চন্দ্ৰবৰুৱাক সহায় কৰিলেহি। কামৰ পিছত সকলোৱেই দিহা-দিহি গ'ল! যাবৰ সময়ত মাথোন কৈ গ'ল,—"দেউতাৰে তোমাক মানুহ কৰি থৈ গৈছে, এতিয়া ঘৰৰ মান-মৰ্য্যাদা ৰাখি ঘৰখন চলোৱা!" কিন্তু, ক'ৰ টকাৰে এনে এটা ডাঙৰ সকাম কৰিলে, সেইটো হ'লে, কোনেও নুসুধিলে; জানোবা সুধিলে, ধাৰৰ ভাগ ল'ব লগীয়া হয়!

(৩)

মাক-ৰ'পেকৰ অতি আদৰত উঠা, জন্মৰ পৰা কাহানিও অভাৱ কি তাক নজনা, সংসাৰৰ আও-ভাও একো নুবুজা, চন্দ্ৰবৰুৱাই সকাম-নিকাম শেষ হ'লত, খৰচৰ হিচাপত চকু দি দেখিলে, মৌজাদাৰৰ ঘৰত সকলো মিলি এহেজাৰ টকা ধাৰ লাগিল। দেউতাকৰ হিচাপত দেখিলে, ধাৰো নাই জমাও নাই। এহেজাৰ টকা ধাৰ মূৰত লৈ আত্ম-গৰ্ব্বী চন্দ্ৰ বৰুৱা বিবুদ্ধি হ'ল।

এসপ্তাহ চন্দ্ৰ বৰুৱাই চৰাঘৰৰ তামুলি পীৰাত মূৰ ঘমাই বহিলে, ভাবি একো উলিয়াব নোৱাৰিলে। শেহত, বি-এ, এম্-এ পাছ কৰি ডাঙৰ মানুহ হোৱাৰ সপোনত জলাঞ্জলি দি কেনেকৈ নিজৰ পেট পুহি, ধাৰ কেইটকা মাৰিব পাৰি, তাৰে উপায় চিন্তিবলৈ ধৰিলে। চন্দ্ৰ বৰুৱাৰ মানত আজি, সংসাৰখন নন্দন বন নহয়, তেওঁৰ মানত গোটেই জগতখনেই যেন ঘোৰ অন্ধকাৰত আচ্ছন্ন। এই ঘোৰ অন্ধকাৰৰ মাজত তেওঁ যেন আজি অকলশৰীয়া; যেনিয়ে চায়, তেনিয়ে হতাশ, গাৱঁৰ যি দুই চাৰি জন বুঢ়া মেথাই গধূলি-পুৱা তেওঁৰ খবৰ কৰিবলৈ আহে, তেওঁবিলাকেও, চন্দ্ৰ বৰুৱাক গাৱঁৰ মানুহৰ দৰেই, কোনো মতে খাই লৈ দিন কেইটা কটাবলৈ হে পৰামৰ্শ দিয়েহি। সেই পৰামৰ্শত উচ্চ-আদৰ্শৰ বৰ্ণ এটিও নাই। সকলো বিপদৰ মাজতো কিন্তু, চন্দ্ৰ বৰুৱাৰ অন্তৰত পিতৃ-মাতৃৰ পৰা লাভ কৰা এটি অদম্য উৎসাহ আছিল। যেনে তেনে ঘৰখনৰ নাম ৰাখিবলৈ হলে, দহতকৈ তেওঁ শ্ৰেষ্ঠ বোলাবই লাগিব। কিন্তু ইয়াৰ উপায়?

শেহত, চন্দ্ৰ বৰুৱাই এদিন পুখুৰী পাৰত নিজৰ কথা ভাবি থাকোঁতে, হঠাতে তেওঁ কিতাপত পঢ়া জগতৰ ডাঙৰ মানুহ বিলাকৰ জীৱনীলৈ মনত পৰিল। ততালিকে তেওঁ মনতে স্থিৰ কৰিলে,—জগতৰ ইমান বিলাক ডাঙৰ মানুহ যেতিয়া নিচেই সামান্য অৱস্থাৰ পৰা জাতিৰ শিৰৰ মুকুট হব পাৰিছে, এনে স্থলত তেওঁ কিয় আগ বাঢ়িব নোৱাৰিব। সংসাৰ যুঁজত যুঁজিবই লাগিব, তাতেহে পুৰুষৰ পুৰুষালি!

সেইদিনাই গধূলি চন্দ্ৰ বৰুৱা মৌজাদাৰৰ ঘৰলৈ গ'ল।

মৌজাদাৰৰ লগত কথা পাতি আন কি লিখা পঢ়াও কৰি, ঠিক কৰিলে, মৌজাদাৰৰ এহেজাৰ টকাৰ ধাৰত, তেওঁৰ স্থাৱৰ অস্থাৱৰ সকলো সম্পত্তি মৌজাদাৰৰ বন্ধকত থাকিব। সেই দিনাৰ পৰা পাঁচ বছৰৰ মূৰত যদি ধাৰ সুজিব নোৱাৰে, সকলো সম্পত্তি মৌজাদাৰৰ হব।

মৌজাদাৰে যি ভাবিছিল, সেয়ে হ'ল। মৌজাদাৰে মনতে ভাবি আনন্দ পালে যে চন্দ্ৰ বৰুৱাৰ কি সাধ্য তেওঁৰ হেজাৰ টকাৰ ধাৰ মাৰিবহি। যি হ'ক, চন্দ্ৰ বৰুৱাই ব্যৱসায় বা চাকৰিৰ অন্বেষণত ওলাই যাওঁ বোলাত, মৰমতেই বা আনন্দতেই মৌজাদাৰে চন্দ্ৰ বৰুৱাক আৰু পঁচিশ টকা ৰূপ হাত খৰচ বুলি দিলে।

পিছদিনা পুৱাতে গাৱঁৰ মানুহ কেৱেঁ এই ঘটনাৰ গম নৌ পাওঁতেই, স্বৰ্গতো অধিক অতি চেনেহৰ নিজৰ ঘৰখনিৰ দুৱাৰখন মাৰি, ৰংপুৰ নগৰলৈ ওলাই গ'ল। আন কি, তেওঁবিলাকৰ আজীৱন থকা চাকৰটোকো একো গমকে নিদিলে। মাথোন তাক কলে, তেওঁ নথকাত সকলো খৰচ পাতি মৌজাদাৰে চলাব।

সোণালী জীৱনৰ এই প্ৰথম পুৱাতে চন্দ্ৰ বৰুৱাই অকুল সংসাৰত চকু মুদি জাপ মাৰি দিলে।

(৪)

আবেলি পচিম ফালে মাৰ যাও-যাও হোৱা বেলিটিলৈ চাই, মাৰঘেৰিটাত দিহিং নৈৰ ওপৰৰ ডিব্ৰু-সদিয়া ৰেলৰ দলঙত, দলঙৰ ৰেলিঙত ধৰি জীৱনৰ বহুতো কথা ভাবি ভাবি চন্দ্ৰ বৰুৱাই থিয় হৈ আছে!

তেওঁ ভাবিছে, দেউতাকৰ মুখে তেওঁ শুনিছিল, জিলাৰ ডাঙৰ মানুহ বিলাকে তেওঁবিলাকৰ ঘৰক বৰ খাতিৰ কৰে! সেই বিশ্বাসতে, কাছাৰী ঘৰত কাম এটাত সুমুৱাই দিবলৈ, জিলাৰ ৰায় বাহাদুৰৰ পৰা পেস্কাৰৰ ঘৰলৈকে দিনটোত এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰকৈ অহা যোৱা কৰিলে। সৰহ ভাগৰে উত্তৰ পালে, তেওঁবিলাকৰ ঘৰক ভালকৈ নাজানে হেনো; কোনোৱে হেনো কোনো কাৰণত দেউতাকক চিনি পাইছিল। সেই বুলি জিলাৰ অতবোৰ ডাঙৰ মানুহৰ ল'ৰা থাকোতে, অচিনা-অজানা গাৱঁলীয়া ল'ৰা এটাক কি সাধ্যে "ৰিক'মেণ্ড্" কৰি কামলৈ আগ বঢ়াব! হায়, চন্দ্ৰ বৰুৱাই নুবুজিলে তেওঁ সেইদিনা কিমান দুখীয়া! নগৰত যে দুখীয়াক কেৱে নিচিনে!

ইমানখিনি কথাৰ ঠেলা পাইও, অজলা চন্দ্ৰ বৰুৱাই মানুহৰ আও ভাও ধৰিব নোৱাৰিলে! চন্দ্ৰ বৰুৱাই ভাবিলে—হয়তো গাৱঁত হে তেওঁবিলাক ডাঙৰ, নগৰৰ ইমান বিলাক ডাঙৰ মানুহৰ মাজত তেওঁবিলাক কোন কুটা! আকৌ ভাবে গাৱঁলীয়া সাজেৰে, নগৰৰ ডাঙৰ মানুহৰ ঘৰলৈ যোৱাটোয়েই তেওঁৰ অন্যায় হ'ল হবলা; সেই বাবেহে তেওঁক কেৱে ভালকৈ চিনিব নোৱাৰিলে। ইত্যাদি ইটো কথাৰ মূৰত সিটো কথাত ঠেলা খাই খাই, দলাৰ বগৰিৰ দৰে বাগৰি বাগৰি, তেল কোম্পানী, কয়লা কোম্পানীত চাকৰি বিচাৰি চন্দ্ৰ বৰুৱা মাৰঘেৰিটাত ওলালহি।

ডিগবৈ, মাৰঘেৰিটা, লিডুত তেওঁ আজি এসপ্তাহ ঘূৰি প্ৰায়বিলাক চাহাব আৰু "বৰ বাবু" সকলৰ ওচৰলৈ গ'ল। চাহাবহঁতৰ কোনোৱে উত্তৰ দিলে, 'এতিয়া কাম খালি নাই' কোনোৱে 'খালি হলে পিছত খবৰ কৰিম' বুলি তেওঁৰ নামটো লিখি ৰাখিলে। বৰবাবু সকলৰ বহুতেই, 'কেণ্ডিডেট" বুলিলতে তেওঁৰ ফালে পিঠি দিলে। লাভৰ মূৰত দুদিনৰ মূৰত এসাজ খাই, চাকৰিৰ আশাত হতাশ হৈ, কি কৰোঁ নকৰোঁ ভাবি, চন্দ্ৰ বৰুৱাই নিজৰ জীৱনৰ ল'ৰা কালৰ পৰা সেইদিনালৈকে সকলো কথা এটি এটিকৈ ভাবি থিয় হৈ আছে। কত মানুহ তেওঁৰ গাৰ ওচৰেৰেই দলং পাৰ হৈ গৈছে, তেওঁ কিন্তু কব নোৱাৰে। এনেতে, শকত-আৱত, পকা থেকেৰাৰ বৰণৰ মুখেৰে লুঙি পিন্ধা আদহীয়া বুঢ়া এজনে তেওঁৰ ওচৰতে থিয় হৈ মাত লগালেহি "বোপা, তুমি কাম বিচৰা মানুহ নহয় নে? কিমানলৈকে পঢ়িছিলা তুমি?"

বুঢ়াৰ প্ৰশ্নত, চন্দ্ৰ বৰুৱাই হঠাৎ চক খাই উঠাৰ দৰে বুঢ়াৰ মুখলৈ চাই ৰ' লাগি থাকিল।

বুঢ়াই আকৌ সুধিলে; "তুমি আমাৰ অসমীয়া ল'ৰা নহয় নে? তোমাৰ গাত সেইখন এৰী কাপোৰ দেখিছোঁ"।"

গুৰ ঢালি দিয়াৰ ১০।১২ মিনিটৰ ভিতৰত চেনি তৈয়াৰ হয়। এই যন্ত্ৰ প্ৰতি মিনিটত ১৪০০শৰ পৰা ২০০০ পাক ঘূৰিব পাৰে। দাম ১২।১৩শ টকাৰ বেচি নহয়।]



[কুঁহিয়াৰ পেৰা যন্ত্ৰ :—বলদ গৰুৰ সহায়েৰে ইয়াৰ দ্বাৰা ১০০/ মোন কুঁহিয়াৰত ৭০/ মোন ৰস পোৱা যায়।]



[ছালফাৰ বক্স—ইয়াৰ সহায়ত ৰসত চুণ মিহলাই গন্ধকৰ ধোঁৱা দিয়া হয়।]

(খ)

ওপৰত অলপ মূল ধনেৰে ব্যৱসায় কৰি লাভ কৰাৰ উপায় দেখুৱাহে হ'ল। কিন্তু সৰহ মূলধন খটাব পাৰিলে অতি সোনকালে যথেষ্ট পৰিমাণে লাভ কৰা যায় আৰু তাৰ বাবে উন্নত ধৰণৰ যন্ত্ৰৰ সাহায্য লব লাগে। এই ডাঙৰ



[ভ্যাকম্ প্যান্—
ইয়াৰ সহায়ত দৈনিক ৫০০ টন কুঁহিয়াৰ পেৰা যায়।]



[ব্যাগ্ ফিল্টাৰ—
ইয়াৰ সহায়ত ৰস মোটা কাপোৰেৰে চেকা হয়।]

যন্ত্ৰত ১০০/ মোন কুঁহিয়াৰত ৮০/ পৰা ৯০/ মোনলৈ ৰস পোৱা যায়; আৰু ১২।১৩ মোন গুৰত ৮॥০ৰ পৰা ৯/ মোনলৈ চেনি হয়। এই যন্ত্ৰ ভাৰতৰ বহু ঠাইত ব্যৱহাৰ কৰি দেখা গৈছে যে ইয়াৰ দ্বাৰা খুব লাভ কৰা যায়। ইউ, পি, বিহাৰ আৰু গোৰক্ষপুৰত এনে ধৰণৰ বহুত চেনিৰ কাৰখানা আছে।



[এলিমিনেটৰ—ইয়াৰ সহায়ত ৰসৰ গেদা উঠোৱা হয়।]

জাপানৰ নতুন জতৰ—

জাপানে বস্ত্ৰশিল্পত বিশেষ উন্নতি কৰিব ধৰিছে আৰু নানা বৈজ্ঞানিক উপায় অৱলম্বন কৰি লাহে লাহে বহুত লাভ কৰিব ধৰিছে।

বৰ্ত্তমানে জাপানৰ এটা নতুন জতৰ আবিষ্কাৰ কৰিছে। এই জতৰৰ সহায়েৰে এতিয়া ভাৰতত আৰু লাঙ্কাছায়াৰত ব্যৱহাৰ কৰা 'অটোমেটিক' জতৰতকৈ ২০২০ ২৫২৫ বেচি সূতা কটা যায়। জতৰটো এতিয়াও পেটেণ্ট কৰা নাই কাৰণ আবিষ্কৰ্ত্তাই আনে নকল কৰি তাৰ সুবিধা লব বুলি ভয় কৰে। তাক বাহিৰলৈ পঠিয়াবও নিদিয়ে।

লেতেৰা চোলা

ছায়েন্‌টিফিক এমেৰিকান (Scientific American) নামৰ বিজ্ঞান সম্বন্ধীয় মাহেকীয়া কাকত এখনত লিখিছে যে চোলা আৰু পিন্দাকাপোৰ আদি যিমানে চাবোন (খাৰ) আৰু পানীৰে ধুব পাৰি আৰু ৰ'দত শুকাই লব পাৰি সিমানে ছুৱাচে বেমাৰৰ হাত সাৰিব পাৰি।

গ্লেডিজ পি ৱুইনিগাৰ (Gladys P. Wingar) নামৰ নিব্ৰাছকা বিশ্ববিদ্যালয়ৰ (University of Nebsraska) এজন চাহাবে বিশেষ গবেষণা কৰি ঠিক কৰিছে যে, এদিন মান গাৰ চালত লাগি থকা চোলা (Under wear) পিন্ধিলে, চোলাখনৰ প্ৰতি বৰ্গ ইঞ্চিত গৰে ৪০০,০০০ জীৱাণু (bacteria) দেখিবলৈ পোৱা যায়। যদি চোলাখন নুধোৱা কৈ ছয় দিন পিন্ধে, তেনেহলে সেই সংখ্যা বাঢ়ি প্ৰায় ১০,০০০,০০০ ত পৰিণত হয় গৈ। কিন্তু চোলা সিজাই ধুই শুকাই ললে প্ৰতি বৰ্গ ইঞ্চিত জীৱাণু সংখ্যা কমি ১,০০০ মান হয় গৈ। ভালকৰি ধুই ললেই বেকটেৰিয়া বা জীৱাণু কমি যায়। তাৰ উপৰি শুকাই লোৱাত বহুত কমে,বিশেষ কৈ ৰ'দত শুকাই ললে আৰো ভাল।

যি বোৰ জীৱাণু মানুহৰ গাৰ চালত সাধাৰনতঃ দেখিবলৈ পোৱা যায় আৰু খড় আদি পুঁজহৈ পকিউঠা বেমাৰৰ কাৰণ, সেই বিধৰ জীৱাণুয়ে বিশেষ কৈ জন্মে। গেঞ্জি, শ্যাৰ্ট, শ্ৰেমিজ প্ৰভৃতিৰ উপৰত যিবোৰ চোলা পিন্ধাহয়, মানুহে সাধাৰনতঃ সিবোৰক প্ৰতিদিনে নোধোৱে এনেকি সাতদিন বা একমাহৰ ভিতৰতো ধুব নোখোজে। সেই বোৰ চোলাৰ সকলো অংশ গাৰ চালত লাগি নাথাকিলেও হাত, ডিঙি প্ৰভৃতি কিছুমান অংশত লাগি থাকিবলৈ বাধ্য। সেইবোৰ অংশত স্বভাৱতঃ জীৱাণুসংখ্যা অতিমাত্ৰাত বৃদ্ধি হয় আৰু এই নিমিত্তে এই বিলাক ঠাইত নানা চৰ্ম্ম-ৰোগৰ সৃষ্টি হয়। এই নিমিত্তে বোধ কৰোঁ প্ৰতিদিন গা আৰু কাপোৰ-কানি ধুবৰ ব্যৱস্থা হিন্দু শাস্ত্ৰই দিয়ে। শৰীৰৰ অৱস্থা চাই গা নুধুলেও বাহি কাপোৰ-কানি বদলাব লাগে।

চাবলগীয়া :—এই সংখ্যাত শেষ হোৱা "পাৰ্থ সাৰথি" নাটক খন কেবা জনৰো হতুৱাই লিখাই পঠোৱাত এটা ডাঙৰ ভুল হৈছে। লিখকে তাৰ নিমিত্তে পাঠক সকলৰ ওচৰত ক্ষমা খুজি এনে দৰে শুধৰাই লবলৈ অনুৰোধ জনাইছে—৩য় বছৰ ৪ৰ্থ সংখ্যা মাঘৰ 'পাৰ্থ-সাৰথি' নাটকৰ ২য় অঙ্ক ১ম দৃশ্যৰ ৪৫৮ পিঠি ২য় স্তম্ভৰ ১০ শৰীৰ (আতৰলৈ চাই)...ৰ পৰা সেই দৃশ্যৰ সেষলৈকে ছপা হোৱা ছোৱা (৪৬০ পিঠি লৈকে) উঠি যাব।

আঃ সঃ

শ্রীমদ্‌ভাগৱত বচনা সম্পর্কে

—ৰায়চাহাব শ্রীযুত গোপিকা বল্লভ গোস্বামী

এই বিষয়ে 'আৱাহন'ৰ কেৱা সংখ্যাটো আলোচনা দেখিলোঁ। এই আলোচনা অইন দেশৰ পণ্ডিত সকলৰ মতা-মতৰ ওপৰতেই ভৈছিল। কিন্তু আমাৰ নিজ দেশৰ পণ্ডিতৰ কোনেও চু'ৱোৱা নেদেখিলোঁ। মই জনাত অসমৰ মাণোন এজন পণ্ডিতে ভাগৱতৰ টীকা কৰিছিল। তেখেত হৈছে আমাৰ উপৰি পুৰুষ পণ্ডিত প্ৰবৰ ৺কৃষ্ণ মিশ্ৰ দেৱ গোস্বামী। মোৰ নিচিনা এটা মহামূৰ্খই এনে চিনাকি দিয়াৰ সম্পূৰ্ণ অযোগ্য। তেখেতে যাৰ স্কন্ধ ভাগৱতৰ টীকা কৰিছিল, তাৰে ভিতৰত কেই স্কন্ধমান আমাৰ ঘৰত আছে। প্ৰধান প্ৰধান কেইখন মাত্ৰ সত্ৰত বাকী কেই স্কন্ধ আছে বুলি শুনিছোঁ। প্ৰথম স্কন্ধৰ টীকাৰ আৰম্ভণিতে ভাগৱত বচনা সম্পৰ্কে সংস্কৃত ভাষাৰে নিচেই সংক্ষেপকৈ যি লেখিছে, তাৰ সাৰ মৰ্ম্ম এই :—

৺পূৰ্ণানন্দ বুঢ়া গোঁহাইৰ ৰাজসভাত সকলো অসমীয়া পণ্ডিত গোট খাই ভাগৱত কোনে বচনা কৰিছিল এই বিষয়ে আলোচনা কৰি ইয়াকে সিদ্ধান্ত কৰিলে :—

বহু কৰ্কশ শব্দাঢ্যা নৈষা বাণী মহাত্মনা (ব্যাসেন)
কাঞ্জকুব্জপ্রদেশস্থ কৃতা ব্যাসসমেনতু॥

অৰ্থাৎ বহত কঠোৰ শব্দ থকা এই ভাগৱত ব্যাসদেৱে কৰা নহয়। কিন্তু কাঞ্জকুব্জপ্রদেশত ব্যাসৰ সমান এজনে কৰিছিল।

কি যুক্তিৰ বলত এই সিদ্ধান্ত কৰিছিল তাৰ কোনো উল্লেখ নাই। এই বিষয়ে মোৰ নিজৰ কোনো মতামত নাই। যেনে পাইছোঁ তেনে লেখিছো। অসমীয়া পণ্ডিত সকলৰ মগজুতো যে এই কথা খেগাইছিল এইটোৱে ভাবিব লগা কথা। অসমীয়া পণ্ডিতৰ শাস্ত্রজ্ঞান আৰু পাণ্ডিত্য অইন দেশৰ পণ্ডিততকৈ কোনো অংশে হীন নাছিল। কিন্তু বঙ্গাল দেশৰ বাহিৰ আহি অনেক পুথি পাঁজি লোপ কৰিলে। এই বিষয়ে ভবিষ্যতে দুএবাৰ কৰব মন থাকিল।

গান

(যতি) হলোঁহেঁতেন পথৰ ধূলিৰ ধূলি।
(নিতে) ললোঁ হেতেন শিৱতে তুলি,
চৰণ তোমাৰ—সাৰ্থক জনম বুলি।
(তুমি) আহা বুলি এই পথেদি, বেলা গ'লে ঘুৰি
(মই) পথৰ ধূলি ভৰ বেলাটি, পথটি থাকিম জুৰি ;
ধূলিৰে দিম শয়ন বচি,
ধূলিৰে দিম চৰণ মছি,
উঠিৰ মোৰ হৃদয় নাচি,
বঙৰ দোলা দুলি।
(কত) যাত্ৰী যাৰ এই পথেদি, বুকুতে দি ভৰি,
(মই) বধিম তোমাৰ পৰশ কণি চৰণ তলত পৰি,
হৃদয় যদি যায়ো ভাগি
জীৱনে মৰণে জাগি
(তোমাৰ) পথৰ ধূলিত পৰশ মাগি
পাতিম ভিক্ষাৰ ঝুলি।

কথা আৰু সুৰ—শ্রীযুত কমলানন্দ ভট্টাচার্য্য স্বৰলিপি —শ্রীযুত কমলানন্দ ভট্টাচার্য্য।



দৰবাৰ মন্দিৰৰ শিলৰ-ফলিৰ প্ৰতিলিপি



যোৱা আহাৰ মাহৰ 'আৱাহন'ত শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকীয়ে লিখা "আমাৰ পুৰণি শিল্পকলা" প্ৰবন্ধত স্বৰ্গদেৱ শিৱসিংহৰ কীৰ্ত্তি কলাপৰ বৰ্ণনাৰ সৈতে গুৱাহাটীত থকা দৰবাৰ মন্দিৰ থকা শিলৰ ফলিৰ উল্লেখ আছে এইখন তাৰে প্ৰতিলিপি।

যোৱা সংখ্যাত এই ছবি প্ৰকাশ কৰিবলৈ অসুবিধা হোৱা গতিকে এইবাৰ প্ৰকাশ কৰা হ'ল।

এই প্ৰতিলিপি খন সেই প্ৰবন্ধ লিখক শ্ৰীযুত কটকী ডাঙৰীয়াৰ সৌজন্যত পোৱা হৈছে।

প্ৰায়শ্চিত্ত

গল্প

শ্ৰীযুত চন্দ্ৰকান্ত বৰকাকতী

—এক—

নগৰৰ একাষে ঘৰখন নৈৰ পাৰত। বহুদিনৰ পুৰণি এটা চাৰি চলিয়া টিনৰ ঘৰ, আৰু সমুখৰ ফালে বাৰীৰ ভিতৰত কেইটিমান সৰু সৰু ঘৰ। সমুখত তামোলনী বাৰীখন। ঘৰখন দেখিলে এনেহে অনুমান হয়, যেন নগৰৰ ভিতৰত সেইখনেই অতি পুৰণি। সমুখৰ দুৱাৰ প্ৰায়েই বন্ধ। ঘৰৰ আগৰ আলিটোৰ সিপাৰে এজন পেঞ্চন খোৱা মুঞ্চেপৰ ঘৰ। তেওঁৰ বাৰীৰ ভিতৰত কইটিমান সৰু সৰু জুপুৰি বাহা, তাত কিছুমান কলেজীয়া ছাত্ৰ আৰু দুই এজন মণ্ডল কানানগু থাকে। তাৰ কাষে পাজৰে আৰু দুই চাৰি জন উকীল মোক্তাৰ ডাঙৰীয়াৰ ঘৰ।

তেতিয়া প্ৰায় সাৰে পাঁচটা বাজিছে। নগৰীয়া বাবু ভায়া সকলে, দিনৰ দিনটো কছাৰীত কলম পিহি পিহি ভাগৰি পৰি, ঘৰত দুটমান খাই বই লগত লগুৱা লিকছৌ লৈ কোনোৱে গৈছে বজাৰলৈ, কোনোৱে চেলেউ হুপি হুপি নৈৰ পাৰৰ আলিত তহল দিছেহি নাইবা হাতেৰ লাঠি ঘূৰাই ঘূৰাই লেহেৰিয়াই লেহেৰিয়াই খোজ দি সান্ধ্য সমিৰণ সেৱন কৰিছেহি। সমুখৰ সেই সৰু ঘৰটিৰ পৰা এজন ডেকা ওলাই আহি লাহে লাহে পদূলি মুৰত থিয় দিলেহি। তেওঁৰ গাত এটি খদ্দৰৰ কুৰ্ত্তা, বুকুৰ বুটামবিলাক কৃত্ৰিম সোণৰ। ভৰিত গুণাৰ কাম কৰা এজোৰ নাগৰা জোতা। ওভোতাই মুৰটো আছোৱা up to date ফেচনেৰে কানৰ খট্টো দিঘলীয়াকৈ কটা, বুকুৰ জেপত এটি ফাউণ্টেনপেন, হাতত এখন ৰুমাল তাত বোধ কৰোঁ হাচনাহানা, নাইবা অন্য কোনো উৎকৃষ্ট এচেঞ্চ ঢালি লোৱা। বৰ্ণ বগা তাতে আকৌ হেজলিন স্নো নে কি বোলে সেই বোৰ ঘহি আৰু উজ্জ্বল হৈ পৰিছিল। ৰুমালেৰে মুখ মচি সেই বঙলাটোৰ ফালে চাই ইফাল সিফাল কৰি ফুৰিছিল। তেওঁ বোধ হয় কাৰবাক লগ পাবৰ মনেৰে সেই দৰে তহলি আছিল। কিন্তু বহুত সময় কাকো দেখা নেপোৱাত কিছু উৎকণ্ঠিত যেন দেখা গৈছিল।

ঘৰটোৰ সমুখত সেই গোলাপ ফুল কেই জোপা ফুলি জক্ মক্ কৰিছিল। তাকে চাই সেই ডেকা জনে তৃপ্তি পাইছিল, কাৰণ সেই ফুল কেই জোপা তেওঁৰ আকাঙ্ক্ষিত জনৰ অতি হেঁপাহৰ বস্তু। তেনে ভাবে অপেক্ষা কৰি থকাটো তেওঁৰ পক্ষে সহ্য নহ'ল। লাহে লাহে পদূলিয়েদি সেই ঘৰটোৰ ফালে সোমাই গ'ল। এনেতে বন্ধহৈ থকা সমুখৰ খিড়িকি এখন মেল খালে। এখন হাতেৰ কিবা ঈঙ্গিত দি অন্তৰ্ধ্যান হ'ল। দুৱাৰ মুখ পাওঁতেই দুৱাৰখন মেল খালে, ভিতৰৰ পৰা সম্ভাষণ আহিল, "সোমাই আহ'ক দাদা! আয়ে আপোনাক লগ পাব খুজিছে।" ডেকাজন মন্ত্ৰ মুগ্ধৰ দৰে সোমাই গ'ল। প্ৰেমই চকি এখন টান মাৰি আনি বহিবলৈ দিলে। বঙলাটোৰ ঠিক মাজৰ খোটালিটোতে তেওঁ বহিল। ৰুমালখন মুখৰ ওচৰলৈ নি মিছিকাই হাঁহি কলে 'থেঙ্ক্চ্ (Thanks) প্ৰেম।'

প্ৰেমই কৃতজ্ঞতাৰ হাঁহিৰে ভিতৰ সোমাই গৈ মাকক মাত দিলে, আই তই অথনিয়ে মাতিছিলি, নৰেন দাদা আহিছে।

"বাৰু বহিবলৈ দেগৈ যা।"

"দিছোঁ তই আহ।"

"মই গোঁসাই ঘৰত চাকি শলিতা দিহে যাব পাৰিম, তই পানী এটোপা জুইত দেগৈ, আৰু বোপাক তামোল এখন কাটি দেগৈ সেই সৰু বটাটোতে।

* * * *

প্ৰেমই এহাতে তামোলৰ বটাটো, আৰু এহাতে

আধা কৰা ৰুমাল এখন বেজি সূতাৰে লৈ আহি নৰেনৰ কাষতে থিয় দিলেহি, মিছিকিয়া হাঁহিৰে কলে "খাওক দাদা তামোল।"

"হাতত তামোল খনলৈ নৰেনে কলে Thanks প্ৰেম, সেইখন ৰুমালনো কালৈ কৰিছা?"

"কালৈনো কৰিম নিজক লবলৈকে লাগে, আমাৰ নো কোন ককাই ভাইবিলাক আছে তাকে দিবলৈ—।"

'কিয় ময়েই আছোঁ দেখোন! মই জানো তোমাৰ দাদেৰা নহওঁ?

"হয়, তথাপি.....

"কি তথাপি আকৌ? অ' তুমি মোক পৰ বুলি ভাবিছা নেকি প্ৰেম?"

"কিয়নো তেনে কথা কয়, মনত বৰ বেজাৰ পাওঁ। আপুনিনো আমাৰ পৰনে? তথাপি আমিনো আপোনাৰ জোৰৰ ফেৰৰ হব পাৰিম নে? আমি দুখীয়া তাতে বাপেকী নাইকিয়া যেতিয়া আমাৰ নিচিনা জীৱৰ নো কি মূল্য আছে!"

"প্ৰেম তুমি- দেখোন কথাৰে হাড় ভাঙ্গি যোৱাকৈ কোৱাহে? মোক তেনেহলে আগেয়ে তুমি দাদা বুলিব নালাগিছিল, কাৰণ তুমি দুখীয়া, মই ধনী, ডাঙৰ মানুহ। সেই দেখি তুমি মোক হুজুৰ বুলি নামাতিলা কিয়?"

"যাওক আপোনাক নো কথাৰে কোনে পাৰে।"

"বেয়া পালানেকি প্ৰেম? ৰং কৰোতেই আকৌ খং নাখাবা। বাৰু য'ক সেইবোৰ কথা এতিয়া, আই দেখোন ইমান পৰলৈকে নাহিল, মই উঠোহে প্ৰেম, আইক কবা মোৰ দেৰি হয়, মই বজাৰলৈ যাব লাগে, তাৰ পৰা আহি আকৌ পঢ়িবহি লাগে। এই কেইদিন পঢ়াৰ বৰ ধুম পৰিছে, আগত পৰীক্ষাটো আহিছে নহয়।"

"বাৰু বহকচোন, আই আহিব এতিয়া, একো দেৰি নহয়, মই চাহ এটোপা কৰোগৈ খাই যাওক।"

প্ৰেম ভিতৰলৈ সোমাই গ'ল।

নৰেনে কলে 'দেখিছোঁ তুমি নেৰা, মই এতিয়াই চাহ খাই আহিছিলোঁহে। তুমি আকৌ.....'

ভিতৰৰ পৰা প্ৰেমই কলে, 'বাৰু বহকচোন চাহ এপিয়লা খাওঁতেই পেটটো নেফাটে, ফাটে যদিও ফাটক, আমি ৰং চাম।'

নৰেনৰ হিয়া ভেদি এটা তপত হুমুনিয়াহ ওলাল।

অলপ সময়ৰ পিছত হাতত তামোলৰ বটাটো লৈ আহি মাকে নৰেনৰ কাষতে বহিল। জীয়েকক মাতি কলে 'প্ৰেম! হ'লনে চাহ? বেগতে লৈ আহ'বোপা যাবলৈ বেলি হয়।'

প্ৰেমই চাহ আনি সমুখৰ সৰু টেবিলখনৰ ওপৰতে থলে। নৰেনে তললৈ মুখকৈ মিছিকিয়া হাঁহিৰে ধন্যবাদ দি চাহ কাপ মুখত দিলে।

প্ৰেমই মাকৰ পিছফালে দুৱাৰত ভেজা দি থিয় হ'ল, হাতত বেজি সূতা আৰু আধা কৰা ৰুমালখন, কিন্তু চকুৰ দৃষ্টি নৰেনৰ ফালে।

নৰেনৰ অন্তৰ যেন কঁপি উঠিছিল এখনি অজ্ঞাত হিয়াৰ আকৰ্ষণত।

মাকে তামোল এখন আগবঢ়াই 'কলে এইবাৰে বি, এ, দিবা নহয় হবলা বোপা, পাছে পৰীক্ষানো কেতিয়ালৈ?'

"হয় আই এইবাৰেই বি, এ, দিম। পৰীক্ষালৈ আৰু কুৰি দিনমানহে আছে।"

"পাচ কৰি আকৌ পঢ়িবানে কাম কাজ হে সোমাবা?

"বোধকৰো আৰু নপঢ়িম, দেউতা লাহে লাহে বুঢ়া হৈ আহিল আৰু খৰছ যোগোৱাটো অসম্ভৱ।"

"এতিয়ানো তোমালোকৰ ঘৰত কোন আছে, আয়েৰা ঢুকোৱা বুলিতো শুনিছোৱেই। ভনীয়েৰা এজনী নে দুজনী আছিল নহয়, ক'ৰবাত দিলানে?"

"হয় আই দিয়া হ'ল। এতিয়া ঘৰত বুলিবলৈ দেউতা আৰু মইহে। মইতো ইয়াতেই থাকোঁ, দেখিছেই।

"তেনেহলে ঘৰ চলোৱা বৰ অসম্ভৱ হৈ পৰিছে।"

"নকব আৰু আই! দেউতাই বেমাৰী গাৰে ভাত ৰন্ধাত বৰ কষ্ট পায়।"

"তেও তোমাৰে ঘৰখন হোৱা হলেও, দেউতায়েৰাক এমুঠি সিজাই পকাই নিদিলেও লাছনি পাছনি কৰি দিব পাৰিলে হেঁতেন।"

"সেইবোৰ পাছ কথা, পাছ চাহ কৰি লোৱেচোন, পিছে পৰে যি হয় হব।"

প্ৰেমই মিছিক কৰে হাঁহি ভিতৰ সোমাই গ'ল।

মাকে আকৌ কলে, "বোপা মাজে মাজে আহিবা। তোমালোকেই আহি গৈ নোথাকিলেনো আমি বাৰী দুখুনী মানুহ, আমাৰনো কোনে খা-খবৰ লয়। ভনীয়েৰা-জনীক এঠাইত গত লগাব পাৰিলে তেহেলৈ লাগিলে মই মৰোৱেই।"

নৰেনে কলে, "ভাল আই! সময় পালে আহিম দিয়ক।

নৰেন থিয় হ'ল।"

মাকে কলে, "হয়ে প্ৰেম! তই কৰা ৰুমাল এখন ৰ'পাক দেহি।"

"নেলাগে দিয়ক আই, তেওঁ দুখ কৰি কৰিছে, তেওঁৱেই লব।"

"আৰু আছে নহয় বোপা, তাই লব লাগে, তুমি হবলা লব নালাগে, নে দুখীয়াৰ বস্তু দেখি ঘিন কৰিছা?"

"ইস্! তেনে কথা কয়নে আই! আমি নো কিমানৰ ধনী আমিও সেই আপোনালোকৰ নিচিনাইছে।"

ভিতৰৰ পৰা প্ৰেমই ৰুমালখন হাতত লৈ আহি অতি আগ্ৰহেৰে নৰেনৰ হাতলৈ আগ বঢ়াই কলে "নিয়ক দাদা মোৰ শপত।"

অগত্যা মাক জায়েকৰ নেৰা নপৰা অনুৰোধত ৰুমালখন হাতত ললে।

প্ৰেমৰ কোমল আঙুলি পৰশত নৰেনৰ গোটেই শৰীৰ নাচি উঠিল। 'আহিলোঁহে' বুলি কৈ নৰেন বিদায় হ'ল। লগে লগে দুৱাৰখন জাপ গ'ল। বাটত যাওঁতে ৰুমালখনত এটা চুমাৰ পৰশ দি নৰেনে কলে, "হে ভগবান তুমি জানা ভালৰ নিমিত্তে নে বেয়াৰ নিমিত্তে...।"

—দুই—

সেই দিনা নৰেনৰ আৰু বজাৰলৈ যোৱা ন'হল। ঘৰ সোমায়েই লেমটো জ্বলালে। দুৱাৰখন বন্ধ কৰি দি ৰুমালখন মেলোতেই মাজৰ পৰা তুলা পাত এডুখৰি সৰি পৰা যেন পালে। ৰুমালখনৰ এচুকত লেখা আছিল 'নাপাহৰিব'। তুলাপাত ডোখৰ বুটলি চাই দেখে সেইখন চিঠি তাত লেখিছিল মাথোন এষাৰ কথা—

মৰমৰ দাদা,

'অভাগিনীৰ ভাল পোৱাৰ চিন স্বৰূপে সাদৰেৰে লব।'

আপোনাৰ চেনেহৰ—প্ৰেম।

বোধ কৰোঁ চিঠিখন ততাতৈয়া কৈ লেখাত বেচি কথা লেখিবলৈ সময় নাপালে। নৰেনৰ হিয়াত এটা আনন্দৰ ভাব জাগি উঠিল। আজি বহুত দিনৰ পৰা নৰেনৰ হিয়াত অদৃশ্যভাবে যি ফল্গু-গঙ্গাৰ সোঁত বৈছিল, সেয়ে যেন আজি বাৰিষাৰ আগমনত বিৰিঙি উঠিল। অতি আলফুলকৈ চিঠিখন ৰুমালখনেৰে মেৰাই মূৰ শিতানত সুমাই থলে। পঢ়িবৰ মনেৰে কিতাপ মেলি ললে। কিন্তু কিতাপত মন বহে ক'ত! নৰেনৰ মন আজি কোনোবাই হৰি নিলে। পঢ়া আৰু নহল কিতাপখন জপাই থৈ আকৌ চিঠিখন মূৰ শিতানৰ পৰা উলিয়াই চাই এটা হিয়া ভৰা তপত হুমুনিয়াহ কাঢ়ি, আগেয়ে থোৱা ঠাইতে থৈ দিলে। অতৃপ্ত আশা পূৰণৰ বাবে তেওঁৰ মন দুগুণে নাচি উঠিল। পেটৰ ভোক পেটতে মাৰ নিয়াই বিছনাত দীঘল দিলে।

সুখৰ সপোন ৰচনা কৰোঁতে নিশা ভাল টোপনি নাহিল। পুবে পোহৰদি আহোঁতেই বিছনাৰ পৰা উঠি নৈৰ পাৰত ফুৰিবলৈ গ'ল। বেলি ৰঙোৱাত ঘৰমুৱা হ'ল। ভোঁ ভোঁ শব্দেৰে এখন মটৰ আহি প্ৰেম হঁতৰ পদূলি মূৰত থিয় দিলেহি। মটৰখনৰ ওপৰত এজনী আদহীয়া তিৰোতা মানুহ। বোধ কৰোঁ সেইজনী চকিদাৰনী। প্ৰেমই হাতত কিতাপলৈ দৌৰি আহি মটৰৰ কাষ পালেহি। নৰেনক দেখা পাই মুখত এটি মধুৰ হাঁহি ফুটি উঠিল। প্ৰেমই মটৰত উঠি বহিল, মন সামৰিব নোৱাৰি নৰেনে মাত দিলে, "প্ৰেম স্কুললৈ যোৱানেকি?"

প্ৰেমহঁতৰ ঘৰলৈ নৰেনৰ অহা যোৱা ক্ৰমান্বয়ে ঘনহৈ আহিল। প্ৰেমহঁতৰ ঘৰেই নৰেনৰ ভাত ঘৰ হোৱাদি হৈ পৰিল। নৰেনৰ লগত প্ৰেমৰ ঘনিষ্ঠতা দিনক দিনে বেচি হবলৈ ধৰিলে। নৰেনৰ প্ৰতি মাকৰ আদৰ আপ্যায়নৰ সীমা নাই। নৰেন আহিলেই প্ৰেমৰ গাত ঠাউনী নাইকিয়া হয়। প্ৰেমৰ চপল যৌৱন-নত কোমল হিয়াত নৰেনৰ

প্ৰতি ভাল পোৱাৰ সাঁচ ভালকৈয়ে বহিল। নৰেনৰো প্ৰেমৰ প্ৰতি অনুৰাগৰ মাত্ৰা দিনে দিনে বাঢ়িবলৈ ধৰিলে। নৰেনৰ প্ৰতি প্ৰেমৰ 'দাদা' সম্বোধন কেনেবা কেনেবা লাগি উঠিল। উন্মত্ত যৌৱনৰ হেন্দোলনিত নৰেন অস্থিৰ। একো একো দিন ভাবিছিল যেন যৌৱন কুঞ্জত ফুলি উঠা কুসুমপাহি হিয়ালৈ টানি আনি অতি আপোন কৰি লব, কিন্তু নৰেনৰতো আজিও সেই স্বাধীনতা অহা নাই। আজিও তেওঁ বাপেকৰ আজ্ঞাবহ। কোনো দিন তেওঁ বাপেকৰ অবাধ্য হোৱা নাই। তদুপৰি আজিও তেওঁৰ ছাত্ৰজীৱন। এতিয়াও তেওঁৰ উপাৰ্জ্জনৰ পথ হোৱা নাই। তথাপি নৰেনে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলে, এদিন যেন তেওঁৰ সেই দিন আহে যেতিয়া সেই যৌৱন কুঞ্জত ফুলি উঠা কুসুম পাহিয়ে তেওঁৰ অন্তৰত স্থান পায়।

—তিন—

নিৰ্দ্দিষ্ট দিনত পৰীক্ষা হৈ গ'ল। পৰীক্ষাও বৰ বেয়া হোৱা নাই। প্ৰথম শ্ৰেণীত পাছ কৰাৰ আশা আছে। সেই গধূলি আকৌ নৰেনৰ লগত প্ৰেমৰ দেখা হ'ল প্ৰেমহঁতৰ ঘৰত। মাক সেই সময়ত ঘৰত নাছিল। প্ৰেমই অতি আথেবেথে নৰেনক বহিবলৈ দিলে। মাকৰ অনুপস্থিতিত নৰেনৰ যদিও প্ৰেমহঁতৰ ঘৰলৈ যোৱাতো যুক্তি সঙ্গত হোৱা নাই তথাপি তেওঁৰ হিয়াত প্ৰেমৰ প্ৰতি আকৰ্ষণৰ যি বিদ্যুত প্ৰবাহ হৈছে তাক উপেক্ষা কৰিবৰ ক্ষমতা প্ৰায় একেবাৰেই লুপ্তহৈ পৰিছিল।

প্ৰেমে নৰেনৰ ওচৰত থিয় দিলেহি মনত এটা গম্ভীৰ ভাবলৈ, ক্ষন্তেক দুয়ো দুয়োলৈ চাই নিমাত। প্ৰাণৰ আকুল আবেগত যেন নৰেনৰ অন্তৰত কোনোবাই অদৃশ্যে খুন্দিয়াইছিল 'প্ৰেম তুমি মোৰ হবানে?'

সেই নিস্তব্ধতা ভেদি প্ৰেমৰ গোলাপী ওঠৰ মাজেদি ফুটি উঠিল "আপোনাৰ পৰীক্ষা হৈ গ'ল, তাৰ পিছত পাছ কৰি চাকৰীত সোমালে একেবাৰেই পিঠি দিব নহয়?"

'কিয় প্ৰেম! এনে কথা সুধিছা? তোমালৈনো মই পিঠি দিমনে? কেতিয়াবা নো তোমাক মই পাহৰিব পাৰিম নে? অসম্ভৱ।"

"অসম্ভৱেই কেতিয়াবা সম্ভৱহৈ উঠে, আপোনালোক পুৰুষ জাতি, আপোনালোকৰ অন্তৰ বজ্ৰতকৈও কঠিন, নিৰ্ম্মম, চকুৰ আঁতৰ হলেই সকলো পাহৰি পেলায়।"

"নাপাহৰোঁ প্ৰেম, নাপাহৰোঁ, এনেবোৰ কথাকৈ মোৰ প্ৰাণত আঘাত নিদিবা। তুমি জানানে প্ৰেম, মই তোমাক কিমান ভাল পাওঁ।"

"কেনেকৈ জানিম? আজিলৈকে যে আপোনাৰ প্ৰাণৰ".....প্ৰেমই দুইহাতে মুখ ঢাকি ধৰিলে। নৰেনে গিৰিস কৰে উঠি মুখৰ পৰা হাত দুখন একৰাই কলে "কি হৈছে প্ৰেম? তুমি মোক বিষম পৰীক্ষাত নেপেলাবা।"

প্ৰেমৰ লয়নী দেহ নৰেনৰ বুকুত ঢলি পৰিল। নৰেনে আগ্ৰহেৰে সাৱটি ধৰি প্ৰথম প্ৰনয়ৰ প্ৰভাতি সুযোগত প্ৰেমৰ সেন্দুৰী গাল দুখনিত শত চুম্বনৰ ৰেখা আঁকি দিলে।

নৰেনৰ হৃদয়তন্ত্ৰী ভেদ কৰি বাজি উঠিল "প্ৰেম জীৱনে মৰণে তুমি মোৰ", লজ্জা ৰক্তিম মুখ লৈ প্ৰেমই কলে "এই বোৰ মোৰ লগত চলনা কৰিছেনে, ইয়াত কিবা সত্য আছে?"

"চলনা নহয় প্ৰেম, ওপৰত ভগৱান আৰু মৰ্ত্ত্যত এই অগ্নি সাক্ষী কৰি শপত খাই কৈছোঁ, জীৱনে মৰণে তুমি মোৰ।"

"মোৰো সেয়ে প্ৰতিজ্ঞা, ভগৱান সাখী" এনেতে ভিতৰৰ চোতালৰ পৰা মাকে মাতিলে "প্ৰেম!" মাকৰ মাত শুনা মাত্ৰেই দুয়োৰে সুখ তন্দ্ৰা ভাগিল। প্ৰেমই নিজক চম্ভালি কলে "এইয়া আই নৰেন দাদা আহিছে, তামোল কাটিবলৈ ধৰিছোঁ।"

নৰেনৰ গোটেই শৰীৰ ৰোমাঞ্চিত হৈ উঠিল। অতি সন্তৰ্পনে অন্তৰৰ প্ৰবল হেন্দোলনি কিছু শাম কৰিলে। মাক ভিতৰ সোমাই আহি মাত দিলে "এ বোপা কেতিয়া আহিলা?" "এইয়া আই এতিয়াই বহিছোঁহিহে, আপুনি নোহোৱা বুলি শুনি যাবহে খুজিছিলোঁ।"

"পিছে দেউতাৰাৰ গা অসুখ বুলি শুনিছিলোঁ, হয় নে?"

"হয় আই দেউতাৰ গা ক্ৰমে বেয়া হৈ আহিব ধৰিছে।"

"পিছে ঘৰলৈনো কেতিয়া যাবা"?

"কালিলৈ। আপোনাক মাত লগাম বুলিহে আহিলোঁ।"

"এৰা বহা, যোৱা খবৰ পাই তোমালৈ চাগৈ দেউতায়েৰাই বাট চাই আছে।"

প্ৰেমই চাহ আনি দিলে, চাহ খাই নৰেন যাবলৈ ওলাল। মাকে কলে, "বোপা ঘৰৰ পৰা আহিলে আমাৰ এই ফালে এপাক মাৰিবা চোন, খবৰটো কৈ যাবাহি।'

"ভাল আই আহিম দিয়ক।"

—চাৰি—

অশেষ চিকিৎসা আৰু চেষ্টাৰ ফলতো নৰেনৰ দেউতাক নাবাছিল। ঘৰক যোৱাৰ কেদিনমান পিছতে নৰেনক নিঠৰুৱা কৰি তেখেত সিপুৰীলৈ গতি কৰিলে। নৰেন আজি সংসাৰত অকলশৰীয়া।

সময়ত দেউতাকৰ ক্ৰিয়া কাণ্ড সকলো সমাপন কৰিলে। ঘৰত থাকোতেই নৰেনৰ বি,এ, পাচৰ খবৰ ওলাল' লগে লগে তেওঁ চৰডিপুটী পদৰ কাৰণে এজন প্ৰাৰ্থী হ'ল। ঘৰুৱা বেমেজালি ঠাক ঠিক কৰিবৰ কাৰণ কিছুদিন ঘৰতে থাকিল।

নৰেনে মাজতে এদিন নগৰলৈ আহি ৰাইডিং ছাৰ্টিফিকেট খন দাখিল দি গ'লহি আৰু ব্যক্তি গত ভাৱে কমিশ্যনাৰ চাহাবৰ ল'গত দেখাও কৰি গ'লহি। চাহাবে তেওঁৰ বিষয় ভালকৈ Consider কৰিম বুলি আশাও দিলে। নৰেনহঁতৰ গাৱঁৰ ঘৰৰ পৰা নগৰলৈ প্ৰায় ১৫ মাইল দূৰ। গতিকে দিনে দিনে নগৰলৈ অহা যোৱা কৰা অসম্ভৱ ভাবি, কামৰ কোনো খবৰ নোপোৱালৈকে গাৱঁৰ ঘৰতে থাকিবলৈ ধৰিলে।

প্ৰায় ডেৰমাহৰ মূৰত নৰেনৰ ভাগ্য ৰবি উদয় হ'ল। নৰেনে চৰডিপুটী চাকৰীৰ চনদ পালে। আৰু লগে লগে চাৰ্ভে শিকিবলৈ যোৱাৰো আদেশ পালে।

বয় বস্তু বান্ধিলৈ নৰেন নগৰ পালেহি। বাহা হ'ল প্ৰেমহঁতৰ ঘৰ। প্ৰেমৰ মনত আজি হাকিম নৰেনৰ প্ৰতি চেনেহ শ্ৰদ্ধা আগতকৈও শত গুনে বেচি। মাকৰো চেনেহৰ মাত্ৰা বাঢ়িল। আশা—হাকিম জোৱাই পাবলৈ।

প্ৰেমহঁতৰ ঘৰতে নৰেনৰ তিন দিনমান হ'ল।

আজি নৰেনে চাৰ্ভে পঢ়িবলৈ ওলাল জালুকবাৰীলৈ। প্ৰেমই আমন জিমনকৈ ওচৰতে থিয় দিলেহি। সুধিলে "কিমান দিনৰ মূৰত ঘূৰিব আকৌ?"

"অন্ততঃ ছমাহ।"

'উঃ! ছমাহ; বহুত দিন।"

"কি কৰিবা প্ৰেম, এতিয়া যে মই পৰৰ গোলাম। উপায় নাই।"

"পিছে আমাৰ জানো বি....." দুইহাতে মুখ ঢাকি ধৰিলে।

"চাৰ্ভে পাছ কৰি আহি যেতিয়া এঠাইত থিতাপি লব পাৰিম, তেতিয়া প্ৰেম, তেতিয়া।"

"কিজানিবা আমালৈ পাহৰেই। ইমান ডাঙৰ কাম পাইছে যেতিয়া আমাৰ নিচিনা—"

"ছিঃ। প্ৰেম, তুমি এইবোৰ কি কৈছা? যাবৰ সময়ত এনেবোৰ কথা কৈ মনত বেজাৰ নিদিবা?"

"বাৰু আৰু একো নকওঁ, যেন নাপাহৰে।"

"চুমা এটা দিয়া নাপাহৰোঁ।".....

ঘোৰা গাড়ী খনত সকলো মাল পত্ৰ তুলি ষ্টেশ্যন অভিমুখে নৰেনে যাত্ৰা কৰিলে। প্ৰেমৰ চকু ঢুলঢুলীয়া পৰি দুগালেদি দুধাৰি চকুলো বৈ গ'ল।

প্ৰেমৰ মুখদেখি মাকৰ আৰু বুজিবলৈ বাকী নাথাকিল, তেওঁৰ চকুত আজি পানী কিয়।

—পাঁচ—

চাৰ্ভে পাছ কৰি নৰেন আজি উজনীৰ মৰিয়নী চাৰ্কেলত কামৰ চাৰ্জ্জ লবলৈ বুলি জালুকবাৰীৰ পৰা ৰওনা হ'ল। ঘৰত কোনোবা থাককেই বা নাথাককেই, তথাপি প্ৰেমৰ সেই বীনা বিনিন্দিত সুমধুৰ কণ্ঠৰ এষাৰি মাত, ভুৱন ভোলা ৰূপ মাধুৰী পান কৰিবলৈ আজি তেওঁৰ মন উৎকণ্ঠিত। কিন্তু ছুটীৰ দিনকেইটা জালুকবাৰীতে

বন্ধুকোটা হাতত‌লৈ ইস্কাল সিফাল কৰে'ঢালেই গ'ল। শিহ দিনা কামৰ চার্জ্জ নললেই নহয়। অগত্যা মনৰ আবেগ মনতে মাৰ নিয়াই, মৰিয়নীলৈ যাত্রা কৰিলে। প্রেমৰ মানদেহতা চাউলৈ মোহা আজি পুৰা দুমাহ হৈ গ'ছিল বেচি হ'নহি। আহিব আহিব বুলি বাটলৈ চাওঁতে চকু বিষাল। অন্তৰৰ উদ্বেগৰ ঘাট প্রতিঘাটত বিহ্বল হ'ল, তথাপি নবেন নাহিল।

সেই দিনা দুপৰীয়া এজন মণ্ডল আহি প্রেমহঁতৰ ঘৰত এখন চিঠি দি গ'লহি। মাকে মণ্ডল জনক সুধিলে "আপুনি তেওঁক কি'ত লগ পালে?" "ষ্টেশ্তনত; সময়ৰ অভাৱত ইয়ালৈ আহিব নোৱাৰিলে। মোক লগ পাই দৌৱা দৌৱীকৈ এইখন চিঠি আপোনালৈ লেখি দি পাঠাইছে।"

মণ্ডল জন তাৰ পৰা বিদায় হ'ল।

মাকে কলে "প্রেম মাতচোন দাদাবৰ চিঠিখন, কি লেখিছে।" প্রেমৰ অন্তৰ কঁপি উঠিল, ভয়ে ভয়ে কতবাৰ ইষ্টদেৱতাক স্মৰণ কৰি চিঠি খন মেলি ললে।

পুজনীয়া আই।

মোৰ সেৱা জানিব। ছুটিৰ অভাৱত আপোনালোকৰ তাঁলৈ যাবলৈ সময় নাপালোঁ। কালিলৈ মই মৰিয়নী পাবই লাগিব। ঈশ্বৰে ভালে ৰাখিলে অহা বৰদিনৰ বন্ধুতহে আপোনালোকৰ সেইখিনি পাম‌গৈ। প্রেমকো কব যেন বেছা নাপায়।

সেৱক
নবেন।

চিঠিখন পঢ়ি প্রেমৰ মুৰত আকাশী স্বৰগ ভাঙি পৰিল। চকু মোৰ ঢুলঢুলীয়া পৰিল। ভিতৰলৈ সোমাই গৈ শোৱা খোটালিৰ বাৰত আৰি থোৱা নবেনৰ ছবিখনলৈ চাই চকুপানী টুকৰিলৈ ধৰিলে। অন্তৰৰ নিভৃত কোণৰ পৰা যেন কোনোবাই কই উঠিল, "উঃ! তুমি কি নিষ্ঠুৰ!"

প্রেমক চাবলৈ বুলি আজি কালিকে কেবাকালবো মানুহ আহিল,মাকৰ মনত উগুল খুগুল লাগি কাকো দিওঁ বুলি যাইক নকৰিলে। মাকে ভালকৈয়ে জানে প্রেমই নবেনক আত্ম সমর্পণ কৰিছে, তথাপি ৰবদিনৰ বহুত নবেন আহেনে নাহে বাট চাই অইনক সমিধান দিয়া হব। সকলোকে কলে 'ফাগুনমানতহে কব পাৰিম, কাক ক'ত দিওঁ চওঁচোন, ছোৱালীবো গাত কথা লগা হোৱা নাই, ভালকৈ শিকাই বুজাই লওঁ।

—ছয়—

মৰিয়নী পোৱাৰ লগে লগে নবেনৰ এজন দুজনকৈ নতুন বন্ধু জুটিবলৈ ধৰিলে। অতি অলপ দিনৰ ভিতৰতে সেই অঞ্চলৰ সকলো মানুহতে সৈতে নবেনৰ সদ্ভাব হ'ল। নবেন আজি অল্প সংস্থানৰ বাট মুকলি কৰিলে একেবাৰেই নিশ্চিন্ত।

দেখাই শুনাই নবেন কোনো ওপৰে বেছা নাছিল। তাতে আকৌ সৰল ডেকা, ইপিনে আকৌ চাকিৰ। আমাৰ উজনীৰ নেটিব চাহ বাগিছাওৱালা সকলৰ নজৰ নবেনৰ ওপৰত পৰিবলৈ বেচি দিন নালাগিল, এদিন দুদিন কৈ ইজন সিজনৰ মুখেদি প্রকাশ হ'ল, অমুক বাৱণাহাহৰ জীয়েকক নবেনলৈ বিয়া দিব বুলি, অকল ছোৱালীয়েই নহয়, নগদ দহ হাজাৰ আৰু বাগিছাবো এটা অংশ। নবেনৰ হিয়া তল ওপৰ—দুই নাৱত ভুৰিবি। একালে ধন সম্পত্তি আৰু বাৱ বাহাদুৰৰ জীয়েক। বম কথা নহয়। মনতে ভাবিলে, 'বাৰ বাৱ বাহাদুৰৰ জীয়েক এবাৰ চাওঁ, তাৰ পিছত দেখা যাব ক'ৰ পানী কলৈ যায়।' ইত্যাদি দোমোৰা মোমোৰাতে থুথাছাৰ বন্ধও তিনকুৰীয়াতে কাটি গ'ল। প্রেমৰ লগত দেখা সাক্ষাত আকৌ বহুত দিনলৈকে হইকি পৰিল।

মাঘৰ ভোগালি বিহুৰে সকলোবে ভড়াল পৰিপূর্ণ কৰি দেখা দিলেহি। সেইদিনা বিহু, মেলি ভাট দিছে। বজলাটোৰ সমুখৰ পটিকটোতে ইজি চেয়াৰ খনত বহি, নবেনে মেলি লৈছে "মিৰি জিয়ৰী" উপন্যাখনি।

ভোঁ ভোঁ শব্দেৰে এখন মটৰ আহি তেওঁৰ দুৱাৰ মুখত থিয় হলহি। চাহাবি সাজেৰে সজ্জিত বামকমল বৰুৱা, নামি আহি মাত লগালে "কি কৰিছে মিঃ চৌধুৰী?"

নবেনে সিবিমকৰে উঠি "অ' বৰুৱা আহক, আহক

আজিনো আমাৰ কি ভাগ্য। নহা মানুহ আমাৰ ঘৰলৈ' আহিল। বহাঁক বহাঁক।"

ৰাম কমলক দেখা পাহেই নবেনৰ বুকু নাচি উঠিল উৎসুক হৈ কলে বহাঁক বহাঁক বৰুৱা।"

বৰুৱাই এটা কাঠ হাঁহি মাৰি বহিল।

নবেন ভিতৰ সোমাই গ'ল। কিছুসময়ৰ মুৰত চাহ জলপান আহি পালে, সক টেবুল মাজত সোমাইলে দুয়ো যহি, কথা পাতি জলযোগ সমাপন কৰিলে।

যাৰৰ সময়ত বৰুৱাই কলে কাইলৈ আমাৰ ফালে এবাৰ যাবচোন চৌধুৰী! বিহু খাবলৈও নিমন্ত্রণ কৰিলোঁ।" নিশাটে ঠিক ফিজবৈ বন্দোবস্ত কৰা হৈছে।

মিছিকিয়া হাঁহিবে নবেনে কলে "থেঙ্কু মিঃ বৰুৱা পাৰিলে যাম দিয়ক।"

"নোৱাবিবৰেই বা কাৰণ কি? যাবই লাগিব, নগলে ৰং বেয়া পাম। দেউতায়ো আপোনাক লগ পাব খুজিছে, নগলে হেখেতেও বেয়া পাব।"

"ৰাক পৰা পক্কত....."

"সেইবোৰ অপন্তৰ ঝুলিয়াবই, যাবই লাগিব।"

'আঁহিলোহে' বুলি কৈ বৰুৱা মটৰত উঠিলগৈ, ভোঁ ভোঁ শব্দেৰে মটৰ চকুৰ অদৃশ্য হৈ পৰিল।

নবেনে মনতে ভাবিলে—কি আচৰিত কথা, হঠাৎ মোৰ নিমন্ত্রণ কিয়? আজি ছমাহৰো ওপৰ হ'ল মই ইয়াত থকা, তথাপি ৰামকমলৰ মোৰ ঘৰত দেখা সাক্ষাত নাই, নিশ্চয় ইয়াৰ কিবা গূঢ়াৰ্থ আছে। ৰাক দেখা যাওক কব পানী কলৈ যায়। নিমন্ত্রন ৰক্ষা কৰিবেই। তাৰপৰা কোনো ক্ষতি হব নোৱাৰে বৰং হলে লাভেহে হব। ভাবি ভাবি নবেনে আকৌ উপন্যাসৰ পাত লুটিয়াবলৈ ধৰিলে।

শিছিকিয়া তিনিমান বজাত এখন মটৰ আহি তেওঁৰ দুৱলি মুখত বহহি। ড্রাইভাৰ জন নামি গৈ তেওঁক কলে, 'হুজুৰ আপোনাক নিবলৈ আহিছোঁ, আমাৰ মেনেজাৰ চাহাবৰ বঙলালৈ।' নবেনে বুজিলে বৰুৱাই পঠাইছে বুলি ড্রাইভাৰ জনক কলে, তুমি অপন বৰা মই একেবাৰে গুণাই আছোঁ।

ভিতৰলৈ সোমাই গৈ কলিকতাৰ পৰা নতুনকৈ অনা বাকচত ভৰাই থোৱা চুটজোৰ পিন্ধি মুৰত ফেল্ট হেটটো লগাই পক্কা চাহাব সাজি মটৰত উঠিল হি। মটৰ ধপ্ ধপ্ কৰি বাগিছা অভিমুখে যাত্রা কৰিলে।

বাগিছাও বেচি দূৰৈত নহয়, ৮।৯ মাইলমান হব। আধাঘণ্টাৰ ভিতৰতে মটৰ নেটিভ চাহাবৰ বঙলাৰ মুখ পালেগৈ। বৰুৱাই নবেনক আগবঢ়াই নিলেহি। আজি নবেনৰ আৰু অভ্যর্থনাৰ সীমা নাই। শহৰৰ ঘৰলৈ ন জোৱাইহে আছিহে বুলিবা।

বঙলাটোৰ এটা সুন্দৰ সুসজ্জিত খোটালিত নবেনক বহিবলৈ দিলে। নবেন বহিল। বৰুৱাই গোল্ডনৰ্ম্মাৰ বাঙ্গ এটি সমুখৰ টেবিলখনৰ ওপৰত থৈ ভিতৰ সোমাল নবেনৰ মুখেদি গোল্ডনৰ্ম্মাৰ ধোৱা উৰি-চৈ ধৰিলে।

আহল বহল খোটালিটোৰ সিটো মুৰে কেজনী মান আধুনিক ধৰণৰ সাজ পিন্ধা গাভৰুয়ে অবগেনটো দেখিনে ইজনীয়ে সিজনীক কৈছে, গোৱাহে কিবা সেই গানটো সেই দিন যে গাইছিলা, বাউনীৰ মন বাউল কৰা গীতটো, আজি সেই গানটো গাবৰ উপযুক্ত সময় হৈছে—"

কিবণে কলে, 'কিয়'?

প্রভাই ইঙ্গিত দি কলে, "সেই ফালে চোৱাচোন কোন আলহি!"

কিবণে উভতি চাই মিছিকিয়া হাঁহি এটা মাৰি কলে, এই! মোৱা প্রভা এইবোৰ ভাল নহয়।"

নবেনৰ চকু সেই নব্যশিক্ষিতা তৰুনীহঁতৰ ফালে নপৰাকৈ থকা নাই। কিবণ আৰু প্রভাৰ কথা কেইষাবাৰ নবেনৰ কাণত ধপৰ ধপৰ কৰে বাজিছিল। দুয়োৰে পৰিচয় জানিবৰ কাৰণে নবেনৰ মন উদ্বিগ্ন হৈ উঠিল। বৰ্ষাচুকুৰ ধোৱা উকৰাৰ লগে লগে তৰুনীহঁতৰ ফালে কাণ দি নিস্তব্ধ হ'ল।

নেপাই নথওঁকে কিছু সময়ৰ মুৰত তৰুনীহঁতে গীত জুৰিলে। অবগেনৰ সুৰৰ লগে লগে কিবণৰ ডিঙি কঁপি উঠিল।—

এই যে সন্ধিয়াৰ অতিথি তুমি
অ' মোৰ প্রাণৰ আৰাধন।

চিৰ পৰিচিত নোহোৱা যদিও
কৰিছোঁহে আৱাহন।
উঠিছেহি বাজি নীৰৱ সুৰ
কি করুণ আজি সিকি সুমধুৰ
কৰি চিত চুৰ কাঢ়ি নিলা মোৰ
আলসুৱা তনু মন।

লাহে লাহে সুমধুৰ কণ্ঠৰ কোকিল কাকলি যেন গীতৰ কঁপনি গোটেই খোটালিটোৰ বেৰত খুন্ধা খাই কোনোবা দিগন্তত বিলীন হৈ গ'ল।

এনেতে বৰুৱা ভিতৰৰ পৰা আহি কলে "চৌধুৰী এক্ষন্তেক বহক দেই। লাহে ধীৰে কথা হম।"

নৰেনে কলে, "বাৰু।"

বৰুৱাই কিৰণক কলে, কিৰণ এখেতক তামোল চালি আনি দেচোন।"

কিৰণ ভিতৰলৈ সোমাই গ'ল, প্ৰভাই কলে, "হেৰা কিৰণ ৰবাহে ময়ো যাওঁ, মোৰ অকলে বৰ বেয়া লাগেহে। প্ৰভাও পাছে পাছে ভিতৰ সোমাই গ'ল।

কিৰণৰ ৰূপ লাৱন্য দেখি আৰু জিলি যেন মাত শুনি নৰেন বিমুগ্ধ, গোল্ডন্‌বৰ্ম্মাৰ ধোৱা উৰুৱাই ভাবত বিভোৰ, সমুখত যেন কিৰণৰ প্ৰতিবিম্ব।

পাছ ফালৰ পৰা মাতিলে, 'এইয়া তামোল খ'ক চোন।' উভতি চাই দেখে কিৰণে ৰিহাৰ আগটো ধৰি মিছিকমিছিক্‌কৈ হাঁহিছে। অজ্ঞাতে নৰেনৰ অন্তৰত্মা কঁপি উঠিল।

'বাৰু' বুলি। তামোলৰ বটাখন নৰেনে হাত পাতি ললে।

কিৰণে ভিতৰলৈ লৰ মাৰিব ধৰোতেই নৰেনে কলে, "চাওঁ গান এটা গোৱা চোন অথনিযে গাইছিলা বৰ ভাল হৈছিল।"

কিৰণে লাজকুৰীয়া ভাবে কলে, 'ইস্। এনেযে ভাল হৈছিল আৰু কব লগা নাই।'

উপায় নাই, কিৰণ আৰু সাৰিব নোৱাৰিলে। লাহে লাহে লাজে ভয়ে অৰগেনৰ কাষত গৈ বহিল। পৰ্দ্দাত কোমল আঙুলি বুলাই এটা গত বজালে। লগে লগে গীত জুৰিলে—

কোনেনো বজায় আজি সুধা ভৰা ৰাগিণী
মৰমে পৰশি তাৰ আবেগে আকুল সুৰ
দুৰু দুৰু কঁপে মোৰ জুৰুলা হিয়াখনি
সি যে হেৰোৱা মোৰ সুমধুৰ ৰাগিণী
কতদিনে হেৰুৱাই কত সাধি পোৱা নাই
অযাচিতে কোনোবাই, দিলেহি আজি মিলাই।

সুললিত কণ্ঠৰ সুমধুৰ গীতত নৰেনৰ হিয়া আজি তল ওপৰ। যেন কোনোবাই আৰু এখন হিয়াৰ ফালে ঢাল খুৱাই টানি নিছে। এনেতে ভিতৰৰ পৰা বৰুৱা আহি কলে, 'আহক চৌধুৰী উঠিবৰ হ'ল। ভিতৰলৈ বলক।' দুয়ো ডইনিং ৰুমৰ ফালে খোজ ললে।

কিছু সময়ৰ মূৰত খোৱা বোৱা সমাপন কৰি আকৌ আগেয়ে বহা ঠাইতে বহিলহি। নৰেনে কলে "মিঃ বৰুৱা উঠোঁহে এতিয়া?"

বৰুৱাই কলে, "কলৈ উঠে? ওহো! যাব নোৱাৰে, নিশালৈ বায়স্কোপ নাচায় জানো, টকি ফিল্ম অসমলৈ অহা এয়ে প্ৰথম। চাই য'ক, চাই য'ক চৌধুৰী, ইমাননো উথপথপ লগাইছে কেলেই, আপোনাৰ ঘৰততো আৰু ল'ৰা তিৰোতা নাই?"

হাঁহি মুখেৰে নৰেনে কলে, "নহয় বৰুৱা, মই যে চাকৰৰ লৰাটোক কৈ আহিবলৈ নহ'ল, সি ঘৰত বাট চাই থাকিব নহয়।',

"কিয় মই কালিয়েই আপোনাক কৈ অহা নাছিলোঁ নিশালৈ টকি ফিল্মৰ অভিনয় হব বুলি।"

'কৈছিল হয়, কিন্তু...'

'কিন্তু চিন্তু নহয় থাকিবই লাগিব।'

অগত্যা থাকিবলৈ বাধ্য হ'ল। বৰং থাকিবলৈ পাই পেটে পেটে ভালহে পালে। শেষত নৰেনে কলে, "দেখিছোঁ, আপুনি নেৰে বাৰু থাকিবই লাগিল আৰু।"

• • • •

চামিয়ানাৰ তলত ফিল্মৰ কাৰণে বিশেষ বন্দোবস্ত কৰা হৈছে। নিশা দহমান বজাত অভ্যাগতসকল ঠায়ে ঠায়ে বহিল। একেবাৰে শেষৰ শাৰীত নৰেন, বৰুৱা, হাজৰিকা ফুকন, আৰু কেজনমান বাগিছাৱালা। তাৰ আগৰ

শাৰীত কিৰণ, প্ৰভা, স্বৰ্ণ, হেমকে আদি কৰি, বাগিছাৰ মালিক সকলৰ জিয়াৰী বোৱাৰী সকল।

ফিল্ম কোম্পানীৰ মেচিনৰ ধপধপনি বাজি উঠিল। সমুখত তৰি থোৱা পৰ্দ্দাখনত সুন্দৰী অভিনেত্ৰীসকলে নৃত্য গীতাদি কৰিবলৈ ধৰিলে। দৰ্শক সকলোৰ অন্তৰ আনন্দত পৰিপূৰ্ণ হৈ গ'ল। নৰেনৰো অন্তৰ যেন সমুখত বহি থকা কিৰণৰ ৰূপ লাৱণ্য চাই চাই তৃপ্তিত ভৰপূৰ হৈ গ'ল।

নৰেন তন্ময়, হঠাৎ মাত পৰিল, "হেৰি ঘৰলৈ নাযায় নে?" চমক ভাঙিল সমুখত কিৰণ, মুখত মধুৰ হাঁহি। বায়স্কোপ শেষ হ'ল। সকলো ঘৰাঘৰি যাবলৈ ওলাইছে, কেতিয়াবাই বিছনাৰ দিহা কৰিবলৈ বুলি তাৰ পৰা উঠি গ'ল।

চাৰি চকুৰ মিলনত দুয়োৰে হৃদয়ত স্পন্দন উঠিল। অন্তৰৰ নিভৃত কোণৰ পৰা যেন কোনোবাই কলে, 'বলা যাওঁ। নৰেন পাছে পাছে গ'ল। নৰেন কিৰণৰ মধুৰ মিলন চকুৰ পলকতেহৈ গ'ল। দৃষ্টিৰ আঁৰৰ পৰা প্ৰজা পতিয়ে এবাৰ বিদ্ৰূপৰ হাঁহি হাঁহিলে।

—সাত—

বৰদিনৰ ছুটি পাৰ হৈ গ'ল তথাপি নৰেন নহা দেখি প্ৰেমৰ মাকৰ মন ব্যতি-ব্যস্ত হৈ উঠিল। লগে লগে ফাগুন মাহো আহি পালেহি। পূৰ্ণ যৌৱন সম্পন্না গাভৰু জীয়েকক নৰেনলৈ বাট চাই আৰু কিমান দিন ৰাখি থব। অগত্যা অইন ঠাইত দিবৰ মনেৰে দৰাৰ অন্বেষণ কৰিবলৈ ধৰিলে। হাজাৰো হ'ক প্ৰেমৰ নিচিনা সৰ্ব্বগুণী ছোৱালীৰ দৰা পাবলৈ বেচি দিন নালাগিল। দুদিনতে কেবা ফালৰ পৰা কেইবাজনো দৰাৰ খবৰ আহিল। বিধবাৰ আপদে বিপদে সহায় হব ভাবি, নগৰৰ ভিতৰৰ শ্ৰীযুত মধুৰাম বৰুৱাৰ পুতেক ললিতৰ লগত প্ৰেমৰ বিয়াৰ ঠিক গৈ গ'ল। ললিতে কাছাৰীত কাম কৰে। বিয়াৰ বিষয়ে প্ৰেমই ঘুণাক্ষৰেও একো জনা নাছিল।

সেই দিনা দুপৰীয়া দুটামান খাই বই প্ৰেম সমুখৰ মুঞ্চেপৰ ঘৰলৈ গ'ল। প্ৰেমক দেখা পায়েই মুঞ্চেপৰ জীয়েক স্বৰ্ণই মিছিকিয়া হাহি মাৰি কলে, 'প্ৰেম আহা, তোমাৰ বোলে বিয়া হেনো। আজি বোলে ললিতৰ ঘৰৰ মানুহ তোমাক আঙঠি পিন্ধাবলৈ আহিব হয় নে?'

কথাষাৰ শুনামাত্ৰেই প্ৰেমৰ প্ৰস্ফুটিত গোলাপৰ নিচিনা ৰঙচুৱা গাল দুখনি শেতা পৰি গ'ল। সাতকুৰা অগনিয়ে যেন অন্তস্থল দহিবলৈ ধৰিলে। নীৰৱে দুধাৰ চকুলো ওলাই আহিল।

স্বৰ্ণই আকৌ কবলৈ ধৰিলে, 'হেৰা প্ৰেম, তুমি যাক ইমান দিন মন সঁপি ভাল পাইছিলা, তোমাৰ সেই নৰেনৰো হেনো বিয়া। তুমিহে তেওঁক ভাল পোৱা তেওঁ দেখোন তোমালৈ ফিৰিয়েই নাচালে। হেৰা, পুৰুষ ভোমোৰা, তেওঁলোকৰ মন বুজা টান, তেওঁলোকৰ কথাত কি বিশ্বাস আছে হে?'

এই বুলি স্বৰ্ণই জেপৰ ওপৰৰ পৰা এখন ৰঙা লেফাফাত ভৰোৱা ছপা কৰা চিঠি আনি প্ৰেমৰ হাতত দি কলে, 'চোৱাচোন এই খন কাৰ চিঠি।' চিঠিখন পঢ়ি চাই চুলিৰ আগে প্ৰেমৰ জীউ উৰি গ'ল। সেইখন নৰেনৰ বিয়াৰ চিঠি অহা ফাগুনৰ ২৫ তাৰিখে বিয়া।

প্ৰেম আৰু বেচি সময় তাত থাকিব নোৱাৰিলে, চিঠি খন লৈ ঘৰমুৱা হ'ল।

পাছৰ পৰা স্বৰ্ণই মাত দিলে' 'হেৰা প্ৰেম, বলা আমিও গৈছো, আঙঠি পিন্ধোৱা মানুহ আহি পায়হিহে লাগে।'

ঘৰ পাই প্ৰেমই বিছনাত দীঘল দিলে। সেই দিন ফাগুণৰ ১৭ তাৰিখ। ৫ মান বজাত ললিতৰ ঘৰৰ মানুহ আঙঠি পিন্ধাবলৈ আহিল। প্ৰেম অচেতন, কোনোমতেই ছোৱালী সমাজৰ মাজলৈ আনিব নোৱাৰিলে। যেনে তেনে আঙঠি পিন্ধোৱাৰ নামটো কৰি থৈ সন্ধ্যা ললিতৰ ঘৰৰ মানুহ দিহা দিহি গ'ল। প্ৰেমৰ অন্তৰত আজি কি বেদনা, কি মৰ্ম্মন্তুদ হাহাকাৰ তাক কোনেও নুবুজিলে বুজিলে মাথোন সেই নেদেখা জনেহে।

সেইদিনা নিশালৈ প্ৰেমৰ সংজ্ঞা আহিল। মনটো আৰু অস্থিৰ হবলৈ নিদি কিছু সবল কৰি ললে।

পিছ দিনা দুপৰীয়া প্ৰেমই শোৱা খোটালীত সোমাই নৰেনলৈ বুলি নিমন্ত্ৰণ পত্ৰ পোৱা ঠিকনামতে এখন চিঠি লেখিলে।

প্রাণৰ নৱেন দাদা !

আজিলৈ আপোনাক মোৰ অতি মৰমৰ নৱেন দাদা বুলিবেই মাতিলোঁ। সেই কথাষাৰত মোৰ অন্তৰত কি বেদনা সোমাই আছে, আপুনি নিজেই বুজিব। সেইদিনা যাবৰ সময়ত বিদায় লওঁতে আহি মোক কি কৈছিল। বোধকৰো ভুলতহে কৈছিল, ভুল কৰিহে মোক ভাল পাইছিল, আজি সেই ভুল ভাঙিল। সেই দেখি আজি মোৰ পৰা আপুনি জাঁতৰি গ'ল।

নৱেন দাদা। আপুনি ধনী, মানী, যশস্বী লোকৰ এগৰাকী সুন্দৰী কন্যাক বিয়া কৰিবলৈ ওলাইছে, শুনি বৰ সুখী হলোঁ। আপুনি যদি তেওঁক ভাল পাই বিয়া কৰাবলৈ ওলাইছে মোৰ তাত বাধা দিবৰ সাধ্য কি ? আপোনাৰ ভালেই যে মোৰো ভাল। মোৰ নিজৰ সুখ সম্ভোগ বা দুৱন্ত লালসা চৰিতার্থ কৰিবলৈ আপোনাক ভাল পোৱা নাছিলোঁ। সেই ভালপোৱা মোৰ পবিত্ৰ প্ৰণয়ৰ অন্তৰৰ প্ৰগাঢ় ভক্তিৰ, এই দুৰ্ব্বলাৰ সৰল হৃদয়ৰ সাৰথি দেৱতা স্বৰূপে। মোৰ আন বিশেষ কব লগীয়া নাই। ভগবানে যেন আপোনাৰ ইচ্ছা পূৰ্ণ কৰে।

আপোনাৰ ভাগপোৱাকে মোৰো ভাল পোৱ ভাবি জীৱনৰ বাকী দিন কেইটা কটাম বুলি প্ৰতিজ্ঞা কৰিছিলোঁ, কিন্তু ভগবানে মোৰ সেই আশা নিৰ্ম্মূল কৰিব খুজিছে। মোৰ প্ৰাণত সহ্য হোৱা নাই, মই যে ধৰ্ম্মভ্ৰষ্টা হব লাগিব !

বোধকৰো আছে আপোনাক পাহৰিলে, নাপাহৰিবই বা কিয় তেওঁৰ কৰ্ত্তব্য তেওঁ কৰিব তাত বিচিত্ৰতা কি ? সেই দেখি ললিত কুমাৰ বৰুৱাৰ লগত মোৰ বিয়া স্থিৰকৰিছে। কিন্তু এদিন মই আপোনাক কৈছিলোঁ, 'আপুনি মোৰ, মই আপোনাৰ',—এই দেহটো আন কাকো সমৰ্পণ কৰিব নোখোজোঁ, মোৰ যে যথা সৰ্ব্বস্ব আপোনাৰ চৰণত ঢালি দিছিলোঁ।

দাদা। ভগবানে, আপোনাক আৰু আপোনাৰ অৰ্দ্ধাঙ্গিনীৰ মঙ্গল সাধন কৰক। ভগৱানৰ নাম্ভত শপত খাই কৈছোঁ, তাত মোৰ অকনো বেজাৰ নাই। পাইছোঁ মাথোন অশেষ যন্ত্ৰনা অশেষ ক্লেশ ধৰ্ম্ম নষ্টৰ ভয়ত।

এই পৃথিবীত আৰু মিলনৰ আশা নকৰোঁ। আপোনাৰ মধুৰ সংসাৰৰ মাজত মই বিধি-পথালি দি কাঁইট পুতিব নোখোজোঁ। সিপাৰীত আপোনালৈ অপেক্ষা কৰিম। মোৰ স্মৃতি-চিহ্ন স্বৰূপে আপুনি লৈ যোৱা মোৰ ফটোখন, বোধকৰো এতিয়াও আপোনাৰ বাকচৰ এচুকত পৰি থাকিব পায়। মোৰ শেষ অনুৰোধ, সেইখন যেন পুনি পেলায়। ভবিষ্যতে সেই খনে আপোনাৰ মানস দেৱীৰ অন্তৰত আঘাত দিব পাবে। বিদায় দাদা ! বিদায়, যেন সিপুৰীত—

আপোনাৰ সেৱিকা দাসী
প্ৰেম।

চিঠিখন জাপি এটা লেফেফাত ভৰাই আৰেলি পৰত মাকে নজনাকৈ ওচৰৰে এজন লৰাৰ হকুৱাই ডাক ঘৰত পেলাই দিয়ালে।

সেইদিনাৰ পৰা প্ৰেমই আকৌ বিছনাত দীঘল দিলে, এইবাৰ ভালকৈয়ে দিলে। দিনে দিনে শৰীৰৰ জ্যোতি ম্লান হৈ আহিল। প্ৰেম মৰিব, সচাকৈয়ে মৰিব, প্ৰেমই বিচাৰিছে মৃত্যুৰ ঔষধ।

—আঠ—

নৱেনে বিয়াৰ কাৰণে ২৫ দিন ছুটীলৈছে। সেই দিনা ফাগুনৰ ২২ তাৰিখ। দুপৰীয়া ছটামান খাই নৱেনে বিছনাত বাগৰিছে। এনেতে চাকৰ ধনাই আহি কলে 'দেউতা। এইখন আপোনাৰ চিঠি, পিয়নে এতিয়াই দি গৈছেহি'। গিৰিমৃকৰে বিছনাৰ পৰা উঠি চিঠি খন মেলিলে পঢ়িবলৈ ধৰিলে।

তেওঁৰ গোটেই শৰীৰ কঁপিবলৈ ধৰিলে। হাতৰ পৰা চিঠিখন মাটিত সৰি পৰিল। বাকচটো মেলি প্ৰেমৰ ফটোখন উলিয়াই হাতত লোৱা মাত্ৰেই বিছনাত ঢলি পৰিল। অতীত কাহিনী মনত পৰি বিহ্বল কৰি পেলাৰে, অন্তঃকৰণ ভেদকৰি এটা তীব্ৰ হাহাকাৰ উঠিল, চকুলোৱে ধাৰ নিছিগা হ'ল।

উন্মাদৰ দৰে চিঞৰি উঠিল "প্ৰেম ! আহিও তোমাক মই ৰক্ষা কৰিম। তুমি মৰিবলৈ ওলাইছা?

মৰিবলৈ নিদিওঁ। তুমি আত্মহত্যা কৰিবা প্ৰেম ? নোৱাৰা। মই জীয়াই থকাত কেতিয়াও নোৱাৰা।"

ধনাইক মাতি কলে, "মোৰ কাপোৰ-কানি খিনি চুটকেছটোত ভৰাইদে, মই ওচাহাটীলৈ যাব লাগে আজি গধুলিৰ গাৰীত।"

বেচেৰা ধনাই বিচুতি খালে—'দেউতাৰ হ'ল কি, মাজত বিয়াখনলৈ দিন আছে মুঠেই তিনটা, কথা কি বাৰ্ত্তা কি ? গোলামৰ হুকুম নামালিলে উপায় কি ! যি ভাল দেখে কবি যাওক।'

সন্ধ্যা সময়ত ধনাইৰ হাতত বকৰালৈ এখন চিঠি দি গধুলি গাৰীত নৱেন ওৱাহাটী বুলি বওনা হ'ল। চিঠিত লেখিছিল—

"প্ৰিয় বকৰা।

মোৰ এজন অন্তৰঙ্গী বন্ধুৰ অসন্ন বিপদৰ কাৰণে, আজিয়েই গুৱাহাটিলৈ যাব লগাত পৰিলোঁ। মাফ্ কৰিব দেই। বিয়া ২৯ তাৰিখলৈ যেনে তেনে হোঁৱাকৈ দিবা নহলে মোৰ উপায় নাই। নিছুত সকলো কথা শুনিম, এতিয়া সময় নাই আহিলোঁ।

আপোনাৰ
নৱেন।

সেইদিনা ফাগুনৰ ২৪ তাৰিখ। প্ৰেমৰ অত্যন্ত টান। নগৰৰ সকলো ডাক্তৰ কবিৰাজ হাহবান হৈ পৰিছে। চিকিৎসা বিফল,ডাক্তৰ চাহাব আহি কলে প্ৰেমই বিহথালে। শৰীৰৰ গোটেই শিৰে শিৰে সোমাই গ'ল। সকলোৰে মুখ শুকাই গ'ল ; প্ৰেমৰ মাকে হিয়া ধুনি কান্দিবলৈ ধৰিলে।

সেইদিনা ৰাতিলৈ পৰত নৱেন আহি পালে। তেতিয়া প্ৰেমৰ জ্ঞান নাই। চকুৰ পাতি নলবা হ'ল। সকলো চেষ্টাকে নিষ্ফা কবি নিশা দুটা মান বজাত সকলোকে কন্দুৱাই প্ৰেমই ইহ সংসাৰৰ পৰা যেনালি ললে।

নৱেনৰ হিয়া চূৰ্ণ বিচূৰ্ণ হৈ গ'ল। প্ৰেমৰ মৃত্যুৰ বাবে দায়ী একমাত্ৰ নৱেন। তাৰ অন্তৰাত্মাই কৈ উঠিল 'প্ৰেম সিপুৰীত চাই তৃপ্তি পাবা, মই এই পাপৰ প্ৰায়শ্চিত্ত কৰিম। এনে প্ৰায়শ্চিত্ত কৰিম, যাতে কোনো লম্পট, দস্যুৱে এনে প্ৰবঞ্চনা, এনে পাপ কৰিবলৈ উদ্যত নহয়।'

ভয়মনোৰথহৈ নৱেনে পিছদিনা আবেলিৰ গাৰীত বওনা হ'ল মৰিয়নীলৈ। ফাগুনৰ ২৬ তাৰিখৰ দিনা পুৱা ৮ বজাত মৰিয়নী পালেগৈ। গাৰীৰ পৰা নামি পদুলি সোমাইছে গৈহে মাথোন, এনেতে ভোঁ ভোঁ শব্দেৰে কিছুমান সুসজ্জিত মটৰ, যেন নৱেনকে বিদ্ৰূপ কৰি গুচি গ'ল।

নৱেনক দেখা পোৱা মাত্ৰেই ধনাই পাক ঘৰৰ ভিতৰ সোমাল। ভিতৰ সোণাই গৈগৈহে নৱেনে টেবিলৰ ওপৰতে লেফেফাত ভৰোৱা এখন চিঠি দেখা পালে। খামৰ পৰা চিঠি খন উলিয়াই মেলি ললে।

"প্ৰিয় চৌধুৰী !

বোধকৰো আপোনাৰ নিচিনা বিশ্বাসঘাতক পৃথিবীত খুব কমেই ওলাব। মুখামুখি সময়ত এনে চোঁচোঙীয়া কৰিব বুলি সপোনতো ভবা নাছিলো। যিহ'ক, আপোনাৰ অনুৰোধমতে নিয়া ২৯ তাৰিখলৈ হোঁকাই দিয়াৰ কোনো আবশ্যক বিবেচনা নকৰি আপোনাতকৈ বহুকগুণে মানী, ধনী, শিক্ষিত বামপুৰ বাগিছাৰ গৰাকী শ্ৰীযুত লক্ষেশ্বৰ ৰুৱাৰ পুত্ৰেক শ্ৰীযুত ললিনী কুমাৰ ৰুৱাৰ এৰা-এৰা লগত শ্ৰীমতীৰ বিয়া আজি ৰাতি, অৰ্থাৎ ২৫ ফাগুনতে সুসম্পন্নহৈ গ'ল। আপুনি সময়ৰ-মুবত জাঁতবিলৈ বিভা বুজি আৰু ভদ্ৰামিৰহে পৰিচয় দিলে মাথোন। ইতি

আপোনাৰ
শ্ৰীবামকমল

চিঠিখন পঢ়ি নৱেনে মুখৰ পৰা ভৰিলৈকে জৰ ঘমাজি ঘামিবলৈ ধৰিলে। তেওঁৰ যেনিবা কটা ঘাত আকৌ ঢেঙা তেলহে ঢালিলে।

গুৰু গম্ভীৰ অথচ প্ৰতিশোধ পূৰ্ণ ভাবলৈ শোৱা খোটালিলে সোমাই গ'ল।

বাকছটো খুলি, গুলি ভৰা পিস্তলটো হাতত তুলি ললে হঠাৎ ভিতৰত গুৰুম শব্দ।

চাইনে ধনাই ভিতৰৰ বাৰান্দা পাওঁতেই বন্দুকৰ শব্দত কাপ খালবোৰ হাতৰপৰা সৰি পকা মাটিত পৰি ডোখৰ ডোখৰ হ'ল।

উধাতু খাই ধনাই ভিতৰ সোমাই গৈ চিঞৰি উঠিল, "কি কৰিলে, দেউতা ! কি সৰ্ব্বনাশ কৰিলে।"

ধনায়ে নৱেনক সাৰটি ধৰিলে।

"একো সৰ্ব্বনাশ কৰা নাই, মাথোন প্রা—য়—শ্চি—ত্ত।"

মুহূৰ্ত্ততে এটি প্ৰমদীৰ প্ৰাণ বাষ্পাকাৰে উৰি গ'ল।

মোৰ সোৱঁৰণী

(৩য়, বছৰ ৯ম, সংখ্যা আৱাহনত ওলোৱাৰ পাচৰপৰা)

শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা

কহিমা স্কুলঘৰ।—ৰামেশ্বৰ বাবুৱে চাৰ্জ্জ দি যাওঁতে মোক যেনেটিহে বাটকৰাৰ জিৰণি পঁজাত বহুৱাই থৈ গৈছিল, তাৰ স্বৰূপ বৰ্ণনা সুমৰি চালে হাঁহিও উঠে বেজাৰো লাগে। পঁজাটো দীঘে দহ হাত, পথালিয়ে আঁঠহাত আৰু ওখই মাটিৰপৰা টুপলৈ সাত হাতমান হব; সেয়ে জানিবা চৌচলীয়া বঙলাঘৰৰ আৰ্হিৰ। ওপৰৰ টীনপাটৰ চালকেইখন সঁচাসঁচি টীন-বঙলা সাজোঁতে ওপৰঞ্চি কটাছিঙ্গা পেলনি যোৱা টীনৰ টুকুৰাবে সৈতে তাপলি-মৰা। বৰষুণ দিলে তাৰ যোৰাবোৰেদি উৰুখনি পৰে। সেই বঙলুৱা পঁজাটো দুটা খোঁটালীত বিভক্ত; এটা হেডমাষ্টৰৰ, আনটো চেকেণ্ডমাষ্টৰৰ; নগা পণ্ডিতজনে পঢ়াবলগীয়া ছাতৰক বাহিৰলৈ উলিয়াই নি সমুখৰ খাঁহনি চোতালত বহুৱাই পঢ়ায়, বৰষুণ দিলে আটইটি ভিতৰ সোমাই টেপাটেপিকৈ থুপুখাই থিয়দি ৰয়হি। সেই ঘৰতে সেই ভাৱেই মাহদিয়েক কটাইছোঁ, এনেতে এদিন ভৰ-দুপৰত অতিপাতকৈ চামে-চামে শিলাবৰষুণ পৰিবলৈ ধৰিলে। নেৰানেপেৰাকৈ ডেৰঘণ্টামান শিল পৰিয়েই আছিল। সেই ডেৰঘণ্টাৰ প্ৰতি মিনিটটোৱেই আমাৰ মানত নাযায় দুপুৰায় যেন লাগিল, আৰু প্ৰতি মুহূৰ্ত্তত ঘৰ পৰি আমাক তাতে চেপেটা লগাই মাৰে যেন দেখিছিলোঁ! কুকুৰা চৰায়ে আপদত পাখিমেলি পোৱালিবোৰ আবৰি ধৰাৰ দৰে, ছাত্ৰবৃন্দক মাজতলৈ, তিনিও তিনিখন দুৱাৰমুখত সতৰ্ক হৈ থিয়দি আপদৰ ক্ষণ গণিবলৈ ধৰিলোঁ। মোৰ সমুখত কিন্তু আৰু এটা সমদুখৰ দৃশ্য পৰিল,—শিলাবৰ-ধুণত আশ্ৰয় বিচাৰি ঢপলিয়াই আহি পোৱালি এটিৰে সৈতে ঘুঁৰী এজনীয়ে আমাৰ জুপুৰিটোৰ আগত থিয়দি ৰ'লহি। বানে-বানে পৰা পানী-শিলৰ খুন্দাত জন্তুহালিয়ে তৰণি পোৱা নাই, তথাপি সেই অৱস্থাতে আমাৰ ফালে মুখ কৰি মনে মনে আমাতে গঁঢ়িলা লৈ আছে; ইফালে আমাৰো এনে দুৰ্দ্দশা যে, সেই অতল জন্তুহালিক থিয় হবলৈ দিবলৈকো ঠাই একণ নাই! চাই চাই মোৰ প্ৰাণে কান্দিবলৈ ধৰিলে। সিহঁতক সহায় কৰিবলৈ আমাৰ উপায় নাই! বাস্তৱতে মই সেই নিৰাশ্ৰয় প্ৰাণাদুটিক সেই আপদত এফেৰিমানো উপকাৰ কৰিব নোৱাৰি সন্তাপত তল গলোঁ। কিন্তু, সিহঁতপৰা হলে মই বিশেষ উপকৃত হৈছিলোঁ; অৰ্থাৎ সেই আপদীয়া ক্ষণত সিহঁতৰ দুৰ্গতি অনুভৱ কৰি অভিভূত হোৱাৰ ফলত, মই সেই ক্ষণত নিজৰ আপদ অনুভৱ কৰিবলৈ পাহৰি গৈছিলোঁ। সি যি হ'ক, কোনো সাংঘাতিক দুৰ্ঘটনা নঘটাকৈ সেই যুগ যেন ক্ষণটো পাৰ হৈ গ'ল। তাৰ পাচত ভিতৰৰপৰা ভুমুকিয়াই চাওঁ যে, গোটেই কেণ্টনমেণ্ট চাপৰিটো টাউনৰে সৈতে একে লগে যেন সুবিমল ঢৌঢৌৱা কপাহী কাপোৰে আবৰি ধৰিছে! পাছে, চাই থকোঁতেই সেই সুকোমল সুখদৃশ্য চকুতে পৰি গ'ল! ইফালে ময়ো ছেগ বুজি স্কুল ছুটী দি লৈ, গড়ৰ মাজৰ কাছাৰিলৈ বাজে বাজে গৈ, ডেপুটী কমিচনাৰক সাক্ষাৎ কৰি, সেই সাংঘাতিক আপদসূচক ভয়াবহ দুৰ্ঘটনাৰ আদ্যোপান্ত তেওঁৰ আগত বিবৰি, কৈ উঠি একে চিপতে মোৰ খাতাং মত এই বুলি কৈ পেলালোঁ "আহল বহল সুবিধাজনক ঘৰ এটা নাপাওঁ মানে মই আৰু স্কুল পাতিব নোৱাৰোঁ।" ডেপুটীকমিচনাৰ মিঃ ডেভিচ্ চাহাবে মোৰ কথাৰ মৰ্ম্ম বুজি উঠি, মোক এই বুলি সমিধান দিলে, "বাৰু, য'ক, আপুনিও বিচাৰি চাওকগৈ, ময়ো বিচাৰোঁ, কেৰেয়ালৈ হলেও, এটা উপযুক্ত ঘৰ নোপোৱালৈকে স্কুল বন্ধ ৰখাটোৱেই ময়ো বাঞ্চনীয় বোধ কৰোঁ। এই বিষয়ে



স্বৰ্গীয় ঘনশ্যাম বৰুৱা

Lakshmibilas Press Ltd., Calcutta

মই আজিয়েই ডিবেক্টর চাহাবলৈ লিখিম। ইচ্ছা কবিলে আপুনিও লিখিব পাবে।" তাবে ফলস্বরূপ, এটা অহল বহল সুবিবাজনক ঘব মাহে ২৫, টকাকে কেবেয়াপৈ বন্দোবস্ত কবি লৈ, এসপ্তাহমান বন্ধ বখাব পাচত, মই স্কুলখন নতুন ঘবত নতুনকৈ পতাদি পাতিলোঁগৈ। তাব পাচত ডিবেক্টব মিঃ জে, উইলচন তেওঁব বিত্তব লিখালিখি কবি কেণ্টনমেণ্টব ওখ চাপবিব পুবে নামনিত গবর্ণমেণ্ট ধবহুত এটা ওখ ডাঙব পাটবাড়ীত স্কুল ঘব সজাই লৈ, সর্ব্বাঙীন পবিপাটিকে স্কুলখন চলাবলৈ ধবিলোঁ। দেখি, টাউনবাসীযে মোব শলাগ ললে। এতিয়া সেই স্কুল খনলৈ তাতে সেই ভাবেই আছে নে তাব কিবা লবচব ঘটিছে কব নোবাবোঁ,—সি আজি ৩৭ বছবমানব আগব কথা।

. নগা-গেনা।—গেনা মানে পর্ব্ব। উৎসবাদিকো গেনা বোলে। নগা-গেন হবেক বকমব। তাব ভিতবত ভৈয়ামব অসমীয়া বিহুব আহিবে তিনটা ডাঙব গেনা উল্লেখযোগ্য। (১) প্রথমটো ভুই বা খেতিব মাটি চহাবব আগতে চুবুচুবীয়াকে আৰু খেলবন্ধীয়া কৈ পতা হয়; ভোজ-ভাতত বাজে তাত বাহিবা আড়ম্বব বিশেষ নাই। (২) দ্বিতীয়টো খেতি-বাতি হৈ উঠাব পাচত, ইথেলবপবা সিথেনলৈ, ইটো টাণাবপবা সিটো টাণালৈ আৰু ইটো পাহাড়বপবা সিটো পাহাড়লৈ গোভাষাত্রাবে সৈতে পতা হয়। সেই যাত্রাকালত আহল-বহল মুকলি ঠাই বুজি ঠায়ে-ঠায়ে জুম্ বান্ধি নগা-বণব খেমালি যুঁজ (sham fight) আৰু নগা-ব্যায়ামব বিবিধ আচবিত খেল দেখুৱা হয়। এবাব খনমাবপবা কহিমালৈ যাত্রা কবা শোভাযাত্রী এদলে (অনুমানত দুহেজাবমান) কেণ্টনমেণ্ট চাপবি পাব হৈ বাৰ্ত্তে'তাত গোটাদিয়েক বিস্ময় লগোৱা ব্যায়ামক্রীড়া দেখুৱাইছিল; তাবে এটা বব বলী তেজীয়ান খুলন্তব ল-নি ডেকা নগাই বঙাচুলি লগোৱা নালেবে চকুচকীয়া হাতযাঠী এপাত হাতব লাচতে ওপবলৈ মাবি পঠিয়াই যাঠীপাট তীবকপে তললৈ নামি আহোঁতে লফিয়াই জঁপিয়াই কিবিলি মাবি মেলি উঠি তাব তীব যেন আগচোত আগদাঁতেবে কামোব মাবি ধবি তাক ওপবতে ঠবেঠেবে বাখিছিল। সেই বিস্ময়জনক দৃশ্যব সোৱঁবণীয়ে আজিও মোব বুকু চমকখুবাই তোলে! নগা-বণব আহিযুদ্ধ বা খেমালি যুঁজব গতি গোত্রত বিশেষত্ব আছে। বিশেষকৈ সেই উদ্দেশে ধবা গতি (Marching) শলাগীব লগীয়া। বৃটিচব বেণ্ড কিম্বা ভৈয়ামাব সভ্য জাতিব তাল-মানবদ্ধ বণ-বাদ্য সিহঁতব নাই; কিন্তু মুখেবে কোঁকা দুটাই উচ্চাবণ কবা লয়-লগোৱা এটা ধাৰা বাহিক মৌখিক বাদনে সভ্য জাতিব উন্নত বণবাদ্যকো চেব পেলায়। এই বাদন চেবে-চেবে পাব পেলাই সমানে সমতালে গতিধবি নগাইতে বণযাত্রা কবে। এই বাদন নগাইতে বলত বাজেও বিবিধ সাংসাবিক কামত লগায়; ভুঁই বোৱা ভুঁই চপোৱা, বাটকুবিবোৱা আদি গাত শ্রম লগা কামতো ভাগব পাতলাবলৈ নগাইতে এই বাদন ব্যবহাব কবে। (৩) তৃতীয়টো নগাইতব আটাইতকৈ ঘাই গেনা। ভুঁই চপোৱাব পাচত, ন ধানব চাউল পোন্ প্রথমে ব্যবহাব কবাব আপাহত এই গেনা পতা হয়। ইয়াক ভৈয়ামব অসমীয়া খেতিয়ক মাহুহব ন-খোৱা ভোঁজ ভাতব লগত বিজাব পাবি। বিভিন্ন ইমানেই হে যে, ভৈয়ামব মাহুহব ন-খোৱা ঘবে ঘবে চুবুচুবীয়াকে পতা হয়, পর্ব্বতব নগাইতে এই গেনা বাজহুবাকে বিশেষ আড়ম্ববেবে পাতে। এই গেনা উপলক্ষে নগাইতে খেলবন্ধীয়া বাজহুবাকৈ ন-চাউলব পিঠা খুন্দি পিঠামধু প্রস্তুত কবি তাকে ভোঁজ ভাতব দবে খাই আপোন-পাহবা হৈ বং খেমালি কবে। নগাইতব ভিতবত সহ-বাব ঘব মিলি একোটা খেল গঠিত হয়। সেই খেলে পতি একো-একোটা গাম বা গাওঁবুঢ়াব নিচিনা ববমুবীয়া মাহুহ সিহঁতব নেতা। সেই ববমুবীয়াজন সদৌপোকে একোজন বযমাহুহ। ধনে ধানে ঘবে দুবাবে সদৌ বিষয়তে আনবিলাকতকৈ সেই বযমাহুহজন টনকিয়াল। সেইজনব ঘবব আগতে এখন বহল চোতাল থাকে। তাতে গোটেই খেলব মুনিহ তিবোতাবিলাকে পিন্ধি উবি বযকজমকৈ জুম্ বান্ধি বাজহুবা পিঠা খুন্দে। সেই অর্থে প্রত্যেক ঘবে ন-চাউলব যোগান ধবে। তাত যাব ঘবব চাউল যিমান সবহকৈ খুন্দা পবে, সেই ঘবব সিমান সবহ পুণ্য অর্জ্জন হয় বুলি সিহঁতব বিশ্বাস। মুনিহবিলাকে মুবত

বিবিধ পাখিলগোৱা কিৰীটি, গলধনত বগা শামুকীয়া শঙ্খ, কঁকালত কড়ি লগোৱা এমেৰীয়া কটীবস্ত্র পিন্ধি জাত লগাই গা-তোলা নগা গীত গাই শিলৰ খুবলিত চাউল খুন্দে, আৰু তিৰোতাবিলাকে তাৰ তালে তালে বাহু নচুৱাই চালি জাৰি পিঠাগুৰি উলিয়ায়। সেই পিঠাগুৰিৰে সৈতে কলহে কলহে পিঠামধু যুগুত কৰি থোৱা হয়। তাৰ পৰা দহ দিনৰ মূৰত সেইমধু পানেৰে বৰগেনাৰ উৎসৱ পতা হয়। সেই উৎসৱ উপলক্ষে সকলোৱে বাছক-বনীয়া সাজ-পাৰ পিন্ধি ৰমক্‌জমক হৈ, ইখেলে সিখেলৰ নিমন্ত্রণ গ্রহণ কৰাকৰি কৰি উঠি, সদৌশেহত সদৌখেলৰ মানুহ মিলি সাৰ্ব্বজনীন ভাৱে জাতীয় গীত আৰু নাচেৰে উৰুলীকৃত হৈ প্রকৃতিৰ নিভাঁজ সন্তান নগাইঁতে বৰগেনা পাতে। এনে আৰম্ভণত পাকলাগি ময়ো যোগ দিবলৈ পাইছিলোঁ। অৰ্থাৎ, গেনালৈ খুন্দা পিঠাৰ ভাগ ময়ো পাইছিলোঁ। মোৰ নগা ছাত্রবিলাকে সেই পিঠাগুৰিৰ ভোজনী আগ বঢ়াই মোৰ ওচৰত মোক লক্ষ্য কৰি দেওপূজা দিছিলহি। এনেকুৱা পূজা মই কেইবাটাও ভোগ কৰিবলৈ পাইছিলোঁ। অকল গেনা পূজাই নহয়, তাত বাজেও নগা খেতিৰ নন শস্যৰ আগভাগ মোৰ ভাগ্যত সততে মিলিছিল। কিয়নো, নগা ছাত্রই 'লেচি বাবু'ক (বিদ্যাগুৰু) আগ-ভাগ নিদিয়াকৈ নতুন শস্যাদিৰ ফল ভোগ কৰিলে অমঙ্গল ঘটিব বুলি আশঙ্কা কৰিছিল। এতিয়া, ভয়ামৰ সভ্যতাৰ বতাহে পাই, নগা-পোৱালিহঁতৰ সৰল অন্তৰৰ সেই পবিত্র ভক্তি ভাৱ কেনিবাদি উৰুৱাই নিলেনেকি কব নোৱাৰিছোঁ, কিয়নো মোৰ সেই পোন্‌পটীয়া সৰল চিতীয়া নগা শিষ্যপুত্রগণৰ লগত মোৰ বিচ্ছেদ ঘটিবৰ আজি ভালেমান বছৰ হ'ল। তথাপি, চকুৰ আঁতৰ হ'ল বুলি, সেই সৰল সন্তানগণ আজিও মোৰ মনৰ আঁতৰ হোৱা নাই। 'ৰাজে' 'বিছাচু', 'ৰছেজু' 'ৰেংমা' আৰু 'ৰংচু' (শেষোক্ত দুটি কৰ্ণেল শিৱৰাম বৰা চাহাবৰ চিনু নাম্নী নাগিনী মেমৰ গৰ্ভজাত কন্যা আৰু পুত্র; দুইৰো অন্যতম নাম সৰলা আৰু নন্দৰাম) ইত্যাদি কিছুমান মৰমৰ নাম মোৰ সোৱঁৰণীত আজিকোপতি ফট্‌কফটীয়াকৈ জিলিকি আছে। এইবোৰ নগা ছাত্র ছাত্রীত বাজেও ভালেমান অসমীয়া, বঙ্গালী, দেচোৱালী, গৰখালী ছাত্র ছাত্রীৰ নাম সোৱৰণীত সুমৰি চালেই পাওঁ; তাৰ ভিতৰত ৰায় যাদৱচন্দ্র বৰুৱা বাহাদুৰৰ এটি পুত্র ৺জগতচন্দ্র বৰুৱা আৰু দুটি কন্যা "বৰ আইটী" শ্রীমতী চন্দ্রপ্রভা (শ্রীযুত যোগেন্দ্র নাথ বৰুৱা জজৰ ভাৰ্য্যা) আৰু "সৰু আইটী শ্রীমতী শশীপ্রভা, বিবি জিন্নাতৰ নিচা (ডাক্তৰ জাহানুদ্দিন আহ্মদৰ কন্যা), শ্রীমান নলিনীকান্ত সেন, শ্রীমান ৰামসিং ক্ষেত্রি, শ্রীমান গাঞ্জালাল ৰায় (এতিয়া চুবাদৰ মেজৰ) এইবিলাক মোৰ অতি চেনেহৰ ছাত্র আৰু ছাত্রীৰ নাম অদ্যাপি ডুবৰিৰ আগত নীয়ৰৰ টোপাৰ দৰে মোৰ সোৱঁৰণীত ওলমি ৰৈছে।

মোৰ বিয়া।—কহিমা ইংৰাজী স্কুলখন সৰ্ব্বাঙ্গীন পৰিপাটিকৈ পাতিলৈ মই মনৰ উলাহেৰে তাৰ উন্নতি সাধনত একাণ পতীয়াকৈ লাগি আছোঁ, এনেতে পূজনীয় পিতৃদেৱতাৰপৰা অযাচিতে আদেশসূচক বাতৰি আহি পৰিল যে, মোৰ বিয়া! মই সেই পত্র পঢ়ি উঠি বাস্তৱতে অপ্রস্তুত হলোঁ। তাৰ পূৰ্ব্বক্ষণলৈকে বিয়া বাৰুৰ বিষয় মোৰ মন-শ্রুতিতো নাছিল। মোৰ আন্তৰিক উদ্দেশ্য আছিল যে, স্কুলখনৰ অৱস্থা আৰু অলপ টনকিয়াল কৰি দুটিমান ছাত্রক মহলাত উত্তীৰ্ণ কৰাই লৈ, আৰু 'নীতিশিক্ষা' নামে সাহিত্য-লানী প্রমুখ্যে খনদিয়েক স্কুলীয়া পাঠ্যপুথি লিখা হাতৰ আধৰুৱা কাম সমাপন কৰি উঠি, অন্যান্য লাগতিয়াল বিষয়ত মনোযোগ দিম। গতিকে, বিয়া বাতৰিয়ে হঠাতে বিধিপথালি দি ধৰি মোৰ সংকল্পত বেমেজালি ঘটালে। মই উপায়ন্তৰ হৈ, সম্প্রতিকৰ নিমিত্তে বিয়া স্থগিত ৰখাবৰ উদ্দেশ্যে দেউতালৈ টেলিগ্রাফত প্রার্থনা জনালোঁ। কিন্তু তাৰ ফল নধৰিল; দেউতাই মোৰ প্রার্থনা অগ্রাহ্য কৰি বিজুলীযোগে আদেশ দিলে যে বিয়াৰ দিন হোঁহোঁকাব নোৱাৰি; গতিকে মই এমাহমানৰ ছুটী লৈ অনতিপলমে শিৱসাগৰত উপস্থিত হবলৈ লাগে, আৰু আইতা দেউতা স্বয়ং সেই উদ্দেশ্যে শিৱসাগৰলৈ যাত্রা কৰিব লাগিছে। একে আষাৰে কিস্তি মাত! গতিকে অগত্যা মই ততালিকে ছুটীৰ কাৰণে আবেদন কৰিলোঁ। এপৰমানৰ ভিতৰতে সেই আবেদনৰ সমিধান আহিল,

বিয়াৰ কাৰণে মোক এমাহৰ অনুগ্রহবিদায় (privilege leave) দিয়া হৈছে বুলি। ছুটীৰ হুকুম পাই, স্কুলৰ চাৰ্জ্জ চেকেণ্ড মাষ্টৰৰ জিম্মাত গতাই দি, মই লৰালৰিকৈ শিৱসাগৰ উদ্দেশে ভৈয়ামলৈ নামি আহিলোঁ। এইবাৰ নামোতে কিন্তু গা গধুৰ, মন চিন্তাযুত। মোৰ মুকলি মূৰীয়া প্রাণ-পখীয়ে সংসাৰী সজাত সোমাই মায়াজালত বন্দী হোৱাৰ আগন্তুক ক্ষণ গণি উৰোঁ নোৰোকৈ কমনীয় চৰাইৰ দৰে ওপঙি ওপঙি শিৱসাগৰ উদ্দেশি উৰিবলৈ ধৰিলে। আগৰ দৰে মনত বাটৰ কাহিনীৰ টোকা ধৰি যাবলৈকে পাহাৰিলোঁ, মাথোন আপোন-পাহৰা হৈ গৈ গৈ ভমক্‌কৰে বাইদেও ভিনীহিদেৱৰ ঘৰত ওলালোঁগৈ। গৈ পাইয়েই দেখোঁ যে, আইতা দেউতাও তাতে উপস্থিত! মোৰ গাত তেতিয়া হে প্রকৃত হুঁচ আহিল। মই সভক্তিৰে আই-দেউতাক সেৱা কৰি উঠি, ভিতৰ সোমাইগৈ মোৰ ধাইমাতৃস্বৰূপা বাইদেওৰ কোলাত উঠিলোঁ গৈ। তাৰ পাচত ইকাণ সিকাণকৈ শুনিবলৈ পালোঁ যে, জাঁজিৰ চাওদাং বৰুৱাৰ ঘৰৰ জীয়াৰী এটিৰ লগত মোৰ সম্বন্ধ স্থিৰ হৈছে; আৰু পিতৃদেৱতাৰ জন্ম স্থান আমাৰ পূৰ্ব্বপুৰুষ সকলৰ বসতি স্থলত ৺জয়নাথ বুঢ়াগোহাঞি পুথাওদেউতাৰ ঘৰত থাকি বিয়া পাতিবলৈ যোৱা হৈছে। শুনিলোঁ যি শুনিলোঁ; বিয়া বিষয়ে মই আৰু কাৰোলগত কথা-বাৰ্ত্তা নাপাতিলোঁ, মাথোন গুৰুজনৰ আদেশ পালন কৰিবলৈ সাজু থাকিলোঁ। পিচদিনা আইতা আৰু দেউতা আগধৰি বিয়াস্থললৈ ৰাওনা হ'ল। তাৰ পিচদিনা ময়ো ভাই-ভনী আৰু বন্ধু বান্ধৱৰ মাজত সোমাই গৈ, সজাই থোৱা দৰা ঘৰত সোমালোঁগৈ। ঠিক ঘৰৰ দুৱাৰদলি পাৰ হোৱা মাত্রকে জাউৰি জাউৰিকৈ উৰুলি উৰিল। শাহুৱতী, বোৱাৰী, জীয়াৰী, গাভৰু সকল মণ্ডলাকাৰ হৈ মোক বেৰি ধৰিলে গৈ। মই সঁচাকৈয়ে মায়া আঁচলৰ জালেৰে মেৰখাই বন্দী হোৱাৰ নিদৰ্শন অনুভৱ কৰিবলৈ ধৰিলোঁ। সম্বোধনত বুজিব পাৰিলোঁ, সিবিলাক প্রায় সকলোটিয়েই সম্বন্ধত মোৰ পূজনীয়া, আৰু মোতকৈ মানে ডাঙৰ। সম্বন্ধত শাহুৱতীৰ আট্টাইকে'গৰাকীয়েই মোৰ বুঢ়ী আই, বোৱাৰী প্রায় আটাইকে'গৰাকীয়েই মোৰ আপাদেও আৰু খুৰীদেও, গাভৰু সকলৰ সৰহভাগেই মোৰ পেহীদেও, জীয়াৰী সকলৰ ভিতৰত প্রায় সকলোটিয়েই মোৰ বাইদেও হয়; ভনী বুলিবলৈ দৰাঘৰীয়া হৈ শিৱসাগৰৰপৰা যোৱা মোৰ সহোদৰা এটি (৺চন্দ্রশেখৰ বৰুৱাৰ ভাৰ্য্যা) মাথোন দেখা গ'ল। ইবিলাক মহিলামণ্ডলীৰ মাজত দেখিলোঁ, মোৰ জননী মাতৃদেৱী উলাহ আনন্দত ওপঙি ফুৰিছে! অলপপৰ পাচত, ভিতৰত সমাগমৰ ভিৰ পাতল হোৱাৰ ছেগ ধৰি, এবাৰ বাহিৰলৈ ভুমুকি মাৰি চাওঁ যে, মোৰ পুৰুষ কুটুম্ববৰ্গেও বিয়াৰ কাৰবাৰতে উদুলি-মুদুলি হৈ ফুৰিছে, সিবিলাকৰ ভিতৰত পুথাওদেৱ, দদাইদেৱ, ককাইদেৱ, পেহাদেৱ ভিনীহিদেৱ এনে সম্বন্ধীয় জনৰ সংখ্যাই সৰহ; ভাই ভতিজাৰ লেখ নিচেই তাকৰ,—নোহোৱাৰ নিচিনাই। সিবিলাকৰ মাজত মোৰ পিতৃদেউতাক ইফাল সিফালকৈ 'ফূৰ্ত্তিৰ সৈতে' দিহাকৰণ কাৰ্য্যত তৎপৰ হৈ ফুৰা দেখি মোৰ মনত বৰ ৰংলাগিল; ভাবিলোঁ আৰু দেখিলোঁ, তিনিকুৰি বছৰীয়া বিচ্ছেদৰ পাচত, নিজ জন্মস্থানত নিজ বংশ-কুটুম্বণৰ মাজত মিহলি হবলৈ পাই পিতৃদেউতাই আনন্দত আপোন পাহৰা হৈ ফুৰিছে! বিয়াৰ দিনা পুৱা ন-পুৰুষৰ শৰাধ সমাপন হোৱাৰ পাচত, দুপৰীয়া ন-পুৰুষৰ ভোজ আৰম্ভ হ'ল। ভোজত চেমনীয়াত বাদে ন-কুৰি পৈণত ভকত বহিছিল। সিবিলাক, শিৱসাগৰ নগৰৰপৰা যোৱা কেইজনত বাজে সকলোটিয়েই জাজি আৰু জাঁজিকাষৰীয়া বংশ পৰিয়াল আৰু আত্মীয় কুটুম্! মই আশীৰ্ব্বাদ লবলৈ ওলাই গৈ, সেই ভোঁজত বহা নিজ বংশ-কুটুমীয়া জ্ঞাতি সকলক দেখি মোৰ অন্তৰত যি আনন্দৰ হেন্দোলনি উঠিছিল তাক এতিয়া সুমৰি হে চাব পাৰিছোঁ, কাপ মৈলামেৰে ব্যক্ত কৰিবলৈ কথা বিচাৰি নাপাওঁ! সেই ক্ষণত, সেই মোৰ পিতৃপুৰুষৰ জনমভূমি সৈতে মোৰ নিজ জনমভূমি উত্তৰ লক্ষীম্ পুৰৰ স্বভাৱতে যি এটা অপূৰ্ব্ব বিজনিৰ ভাব মনত খেলাইছিল, সিও মই আপুনি সুমৰি চাব পৰা কৈহে মোৰ সোৱঁৰণীত ৰৈছে। সি যি হ'ক, এতিয়া মোৰ নোৱনিৰ পালিলৈ মনত পৰিছে। টেকেলিৰ দিনৰ সন্ধিয়াৰেপৰা নোৱনিৰ আৰম্ভণ। পিচদিনাৰ পৰা দিনে দুবাৰকৈ নোৱনি। লাজ কাতিকৈ থৈ সচাঁ কথা

কৰলৈ হলে, মই নোৱনিৰ কেইছোৱা অন্তৰে অন্তৰে উপভোগ কৰিছিলোঁ; নামতী সকলে বেইৰ পাতলিত পেলাইলৈ বিধবিধকৈ জোৰানামৰ জাউৰিৰে সৈতে মোক বাহিৰে নাকনি-কাণনি কৰি মাৰিছিল, কিন্তু ভিতৰে সি মোক অনুপম আনন্দত আপ্লুত কৰিছিল। সেই কবিতাময় সুললিত বিয়ানামৰ সুৰত মোৰ অন্তৰ বাস্তৱতে পমি গৈছিল। অধিবাসৰ ৰাতিৰ নানা তৰহৰ বাছকবনীয়া গোপিনী কীৰ্ত্তণ, বিয়ানাম, জোৰা নাম আৰু দৈয়নৰ নাম কেইটাই আজিকোপতি মোৰ কাণত মৌ বৰষিব লাগিছে। বিয়াৰদিনা পুৱাৰপৰা মুনিহৰ উখল-মাখল তিৰোতাৰ উলহ-মালহ আৰু লৰা, চেমনীয়া, জীয়াৰী, গাভৰুৰ উদুলি-মুদুলিলৈ নীৰলে লক্ষ্য কৰি মই কিযে এক অভিনৱ আনন্দ উপভোগ কৰিছিলোঁ। সিও অনুভৱৰ সুমৰণতে হে ৰৈছে, তাক চিয়াহিৰে আঁকি দেখুৱাব নোৱাৰিলোঁ। সেই বিয়াঘৰীয়া উখল মাখল, উলহ-মালহ,উদুলি-মুদুলিৰ ৰাগ আকাশলৈ তুলি মৃদঙ্গীয়া গায়ন আৰু পাতাললই ভেদাই খুলীয়া বায়ণৰ জোৰা উঠি বিয়াস্থল তল-ওপৰ লগাবলৈ ধৰিলে; ময়ো তাৰ মাজত মনে-মনে মজি এবাৰ তল যাওঁ,এবাৰ ওপৰ উঠোঁ এনে হলো। এনে অৱস্থাত মোক আইতাই চেলেঙৰ আঁচলত ধৰি বাটবুলাই নি বেইত ঘূৰাই লৈ, নোৱনিপীৰাত বহুৱাই প্ৰথম নোৱল দিয়াৰ পাচত যে আৰু কত নোৱনেৰে মোক পৱিত্ৰ কৰিলে, এতিয়া সুমৰি মই তাৰ লেখ নাপাওঁ! সেই শেষনোৱনৰ সমাপনত বাজে বাজে নি মোক ৰভাৰ তলত ব্ৰাহ্মণ সজ্জন, গুৰুজন আৰু জ্ঞাতিবৰ্গ পৰিবৃত আসনত বহুৱালেগৈ। তাৰপাচত, দৰাৰ সাজ পাৰ পিন্ধোৱা হলত, পুৰোহিতে মঙ্গলসূচক শ্লোক উচ্চাৰণ কৰি মোৰ কপালত বগা চন্দনৰ ৰেখা পিন্ধাই উঠি, মোৰ প্ৰতি "এই মুহূৰ্ত্তৰপৰা উদ্বাহ ক্ৰিয়া সমাপন নোহোৱালৈ আপুনি নৰদেৱতা। নৰে জীৱনত এদিন দেৱতা হবলৈ পায়; সেইদিন আপোনাৰ আজিয়েই।" বুলি কৈ আঁতৰি নিজ আসন ললেগৈ সুপণ্ডিত পুৰোহিত বাপুৰ সেই দৈৱিক বাণীয়ে মোৰ দেহ-মন-অন্তৰত আচম্বিতে কিযে এক অভিনৱ বিশুদ্ধ ভাৱ বিয়াপাই দিলে, সেই মুহূৰ্ত্তৰপৰা সঁচাকৈয়ে মই মানৱত্বৰপৰা অলপ উধাই উঠিছিলোঁ যেন বোধ হ'ল। দৰা ঘৰৰপৰা কন্যা ঘৰলৈ বাট অলপ দূৰ; গতিকে বৰযাত্ৰীয়ে অলপ সোনকালকৈ যাত্ৰা কৰিলে। বৰ-যাত্ৰীয়ে মাজতে কেখনমান গাওঁ পাৰ হৈ যাওঁতে গাওঁবাটৰ দুইফালৰ পৰা গঞা জীয়াৰী গাভৰুবিলাকে নগৰীয়া দৰা চাবলৈ মোৰ দোলাকাষলৈ ঢাপলি ধৰা দেখি, মোৰ মনেও হেন্দোলিয়াই আগবাঢ়ি সিবিলাকক নিস্পৃহ আলিঙ্গন প্ৰদান কৰিছিল। গৈ গৈ যেতিয়া কন্যাঘৰীয়া কলাপুলিৰ আদৰণী নিৰ্দ্দেশ পোৱাগৈ হ'ল, তেতিয়া দৰাঘৰীয় আৰু কন্যাঘৰীয়া নামতীসকলৰ মাজত জোৰা-নামৰ অৰিয়া-অৰি লাগিবলৈ ধৰিলে; তাৰপৰা খাপি খাপিকৈ কেইবাজোৰাও কলা পুলিৰ সীমা যথানিয়মে পাৰ হৈ গৈ যেতিয়া ৰভা কাষৰীয়া শেহৰ জোৰা আদৰণী কলাপুলি পাওঁগৈ, তেতিয়া নামতী আইসককলৰ জোৰা নামৰ অৰিয়া অৰিৰ প্ৰকোপ ইমানকৈ চৰি উঠিল যে, শেহান্তৰত মুখামুখি এৰাএৰি হৈ চুলিয়াচুলিলৈ দুয়োদল ফৰিং ওফৰাদি উফৰিবলৈ ধৰিলে। দেখি দেখি মই আৰু ৰব নোৱাৰি হাতৰ উৰমালেৰে মুখত সোপা লৈ লুকুৱা হাঁহি মাৰিব লগাত পৰিলোঁ। তেতিয়া কন্যাঘৰীয়া এজন ৰসিক ডেকাই "অ, দৰাই হাঁহিছে বুলি হাঁহি চাপৰিৰে কিৰিলি মাৰি চক লগাই দিয়াত, জোৰা-নামৰ জাউৰিয়ে চাতকৰে পাত্ৰ সলাই নিৰাশ্ৰয় দৰাক হেঁচি ধৰিলে। সিখন লাগি উঠা ৰণ যিহক সিমানতে তল পৰিল। তাৰ পাচত, যথাবিধি বিয়ৰি সম্প্ৰদান, চকলং আদি আচল লাগতিয়াল শুভকাৰ্য্য নিয়াৰিকৈ সমাপন হৈ উঠাৰ পাচত পৱিত্ৰ লগ্নগাঁথিৰ বিশদ ব্যাখ্যাৰে সৈতে কন্যা লীলাৱতীৰ লগত মোৰ শুভপৰিণয় সম্পাদিত হ'ল। আমি সেই ৰাতিয়েই বাজে বাজে শিৱসাগৰলৈ ওলটা যাত্ৰা কৰিলোহকঁ। জাজিৰ বিয়াঘৰলৈ আৰু উলটিবলৈ সুযোগ নিমিলিল। শিৱসাগৰত তিনদিন মাথোন থাকি তাৰেপৰা দৰাঘৰীয়া বিয়াদল ফাটি দুভাগ হৈ আইতা দেউতা প্ৰমুখ্যে ঘাইঘৰৰ পৰা অহা দল উত্তৰ লক্ষীম্পুৰলৈ উলটিল, আমি গোলাঘাট উদ্দেশে গৰুগাড়ীৰে লানী পাতি অগ্ৰসৰ হলোহঁক। এই খিনিতে কৈ লব লগীয়া হ'ল যে মোৰ বিয়াৰ মাহচেৰেকৰ আগতে মোৰ পূজনীয় ভিনীহিদেৱ গোলাঘাটলৈ কাছাৰিৰ

হেডক্লাৰ্ক হৈ বদলি হৈ গৈছিল। সেই কাৰণে, মোৰ ধাইমাতৃ বাইদেও ল'ৰা ছোৱালী সমন্বিতে গোলাঘাটলৈকে সেইছোৱাত আমাৰ লগৰী হৈছিল। গোলাঘাটত বাইদেও ভিনীহিদেৱ আৰু ভাগিনী ভাগিনহঁতৰ (শ্ৰীমতী ঘনকান্তি শ্ৰীমান সুৰেণ, মহেন আৰু সুমলি) সৈতে ত সপ্তাহমান এটি আনন্দময় পৰিয়ালে সৈতে কটাই, আমি নৱ-দম্পতীয়ে গৰু পাড়ীৰে কহিমা অভিমুখে যাত্ৰা কৰিলোঁ, ই মোৰ তৃতীয় বাৰৰ কহিমা যাত্ৰা।

তৃতীয় বাৰ কহিমা যাত্ৰা।—সুমৰণৰ আৰম্ভণতে সোৱঁৰণীপটলৈ আঙ্গুলিয়াই দেখুৱাব লগাত পৰিছোঁ যে, এই তৃতীয় যাত্ৰাৰ কাহিনী ঔপন্যাসিক ঘটনাতকৈও ঠায়ে ঠায়ে একোখোপ চৰা। তাৰ হু-বহু বিবৃতি দিবলৈ গলে সি বহুত হৈ পৰে। গতিকে, সেই বিবৃতি ভবিষ্যৎ ঘটনা মূলক, পাছত যথাসময়ত ৰচিত আৰু প্ৰচাৰিত হোৱা মোৰ 'লীলা' নামক ক্ষুদ্ৰ খণ্ডকাব্যত মেলি চাবলৈ ৰাইজৰ প্ৰতি সঙ্কেত দি থৈ, সেই কাহিনীৰ মূল কথাখিনি মাথোন কৈ থওঁ। গোলাঘাট এৰিবৰ পিছদিনা টাউনৰপৰা সাত মাইল মানৰ আঁতৰত নামবৰ বৰহাবি প্ৰৱেশ কৰোঁতেই আমাৰ গাড়ীত এটা অকথনীয় আচৰিত দুৰ্ঘটনা ফলিয়ালে। আমি উঠি যোৱা গাড়ীখনৰ গৰু দুটাৰ গতি মই গুৰিৰেপৰা ভাল দেখা নাছিলোঁ। সিহঁত দুইৰ এটাই মাজে মাজে ঠমক্ খাই শুই পৰে; আনটোৱে কেতিয়াবা যুঁৱলি পেলাই ছয়াকাটি পলাব খোজে। সেই বাবে গাৰোৱানটোৰো মনত শান্তি নোহোৱা হ'ল; সি গৰুক হুকিয়াই হাইৰাণ। তাৰোপৰি, বেয়া গৰু যুটি লৈ ফাঁকি দি ধন খোৱাৰ বাবে মোৰ পৰাও মাজে মাজে সি বকনি শুনিব লগাত পৰিছিল। এই দৰে সি মনৰ অশান্তিত গাড়ী চলাই নি নি সন্ধিয়া নৌ লাগোতেই নামবৰ বৰহাবিৰ মাজেদি যোৱা গহীন বাটৰ আগছোৱা আমাক পাৰ কৰি নিছে, এনেতে গৰু দুটা শুই পৰিল! কিমান ডবিয়াই মৰিয়াই নেগুৰ পকাই নগুৰশাস্তি কৰিও গৰু দুটা তুলিব পৰা নহ'ল। সদৌশেহত গাৰোৱানটোৱে বিবুদ্ধি হৈ, আন গৰু আনোগৈ বুলি, আমি তিনি প্ৰাণীক (মই, মোৰ নিচেই কুমলীয়া চৈধ্য বছৰীয়া নতুন ভাৰ্য্যা আৰু ১৪।১৫ বছৰীয়া লগুৱাটো) তাতে এৰি উলটি টাউনৰ মুখে বলিয়াৰ দৰে ভিৰাই লৰ মাৰিলোঁ। মই পিচে পিচে 'নালাগে' 'নাযাবি' 'ৰবি' 'কথা শুন্' বুলি এটা ৰিঙৰ বাটলৈকে খেদি গলোঁ; কিন্তু সি আৰু মোলৈ উলটি নাচালে, লৰিবলৈ হে ধৰিলে। অগত্যা, সিমানৰেপৰা হতাশ হৈ ফোঁপাই জোফাই উভতি আহি গাৰীৰ কাষ পালোঁহি। আহি পাই হতাশত শেঁতা পৰা ই দুখনি মুখৰ লগত মোৰ খনিও মিলাই তিনিও মুখ-চোৱাচুইকৈ ঠৰ লাগি ৰলোহঁক। চাওঁতে চাওঁতেই সন্ধিয়া চাপিল, গাৰ নোম নেদেখা হ'ল; তাৰ পিছতেই ঘোপমৰা আন্ধাৰে ছাতি ধৰিলে! আন্ধাৰত জোপাটোকে পৰ্ব্বতটো যেন দেখি; তাতে দুয়োফালে নামবৰৰ বৰ হাৰি। কি কৰিম, কলৈ যাম, বিবুদ্ধি হৈ তিনিও গাড়ীত সোমাই বহি গুণিবলৈ ধৰিলোঁ। সেই আসন্ন সময়ত গাড়ীখনেই হে আমাৰ একমাত্ৰ আশ্ৰয়স্থান। ভয়ত তিনিওৰো বুকু ঢিপিং ঢিপিং কৰিব লাগিছে। মোতকৈ সি দুটি প্ৰাণীৰ আন্তৰিক অৱস্থা শোচনীয়; একেবাৰে তাতোকৈ বেছি হ'ল কোনো কালে হাবি নেদেখা মোৰ ন-কন্যা ভাৰ্য্যাৰ ভয়বিহ্বলা প্ৰাণৰ চট্‌ফটনি! এনে হেন মুখমেলা আপদৰ গৰাহৰ আগত পৰি তিনিও ত্ৰাহি ত্ৰাহি কৰি দুই প্ৰহৰমান ৰাতি কটাইছোঁ,—কিন্তু প্ৰতি মুহূৰ্ত্ততে সেই মেলামুখে আমাক গিলে গিলে যেন দেখিছোঁ,—এনেতে সঁচাকৈ এক মহাকায় বিপদমূৰ্ত্তিয়ে—এটা ভয়ঙ্কৰ দঁতাল হাতীয়ে নাকীয়া চিঞৰ মাৰি একে চোচাই গাড়ীৰ কাষত থিয় দিলেহি; গাড়ীৰপৰা কেইহাতমান আঁতৰত জ্বলি থকা লেণ্টাৰ্ণৰ পোহৰ লক্ষ্য কৰি এক নিমিষমান হাতীটো ৰ'-লাগি ৰওঁতেই তাৰ গোটেই প্ৰকাণ্ড অঙ্গ আমাৰ চকুত পৰিল। বনৰীয়া হাতী নেদেখা ছোৱালী ভাৰ্য্যাই সেই পিনেই পৰি মূৰ্চ্ছা যোৱাদি হল, বৰুণ নামে লগুৱা ল'ৰাটিয়ে প্ৰাণহীন পুতলাৰ দৰে উদ্বাউল হৈ কঁপিবলৈ ধৰিলে, ময়ো জীৱনৰ অন্তিম ক্ষণ গণি ঠৰ লাগিলোঁ;—এনেতে গৰু দুটা চঁকখাই উঠি হেম্বেলনি মাৰি পিচলৈ নেগুৰৰ নিচান উৰুৱাই অহাবাটে উভতি ঢাপলি মেলিলে; হাঁতীটোৱে সিহঁতকে তাৰ চিকাৰ মানি লৈ পিছে পিছে মেদিনী কঁপাই খেদা ধৰিলে, আমি গাড়ীৰ ভিতৰত স্বৰগপৰা মানুহৰ দৰে জঠৰ হলোঁ! হাঁতীয়ে উলটি আহি

আমাক ধৰেহি ধৰেহি যেন দেখি সেই পিনেই চেপেটা লাগি এখনমান তামোল খোৱা পৰ মই থিৰ চকুৰে চাই আছোঁ,—হাঁতী আৰু নুলটিল। ক্ষন্তেকলৈ নিৰাপদ মানি উশাহ সলাই দেখোঁ যে, এইবাৰ আমি সঁচাকৈয়ে সৰ্ব্বমুঠ অকলশৰীয়া তিনি প্ৰাণী হলোঁহক, যিবা অন্যতম দুই প্ৰাণী গৰু দুটা লগৰীয়া আছিল, সিহঁতেও এৰি গুচি গ'ল! ইতিমধ্যে, মৌ-চেপা বৰবযুণ এজাক আহিল। ঢেৰেকনি ধুমুহাত একোকে নেদেখা নুশুনা হলোঁ, মাথোন মাজে মাজে বিজুলীৰ চিকি মিকি পোহৰত ভালেমান দূৰৈলৈকে সেই হাঁতীয়ে গৰু খেদি নিয়া পৰি থকা আপদীয়া বাটটো দেখা পাওঁ! তেনেতে, আলি কাষৰৰ জোপা এটাৰ পৰা ওলাই আহি ডাইনী যেন কিচ্‌কিচ্‌কৰে ক'লা তিৰোতা এজনী আমাৰ গাড়ীৰ কাষত থিয় দিলেহি! তাইক বিজুলীৰ চক্‌মকীয়া পোহৰত দেখিয়েই বৰুণ বোলা চেমনীয়া লগুৱাটো আছাৰ খাই পৰিল, ভাগ্যে তেতিয়ালৈকে লালাৰ মূৰ্চ্ছা ভগা নাছিল। মানুহজনীয়ে চিত্ হৈ লৰা-লৰিকৈ মোক কলে যে তাই আমাৰ ওচৰত ৰাতিটোৰ কাৰণে আশ্ৰয় লবলৈ কাষ চাপিছেহি। মই সহানুভূতি পূৰ্ণ অন্তৰেৰে ভাবিলোঁ, দেহি তাই নিৰাশ্ৰয়ৰ কাষত আশ্ৰয় বিচাৰিছেহি! আৰু, পানীত পৰা মানুহে কুটা এগছ পালেও সহায় যেন জ্ঞান কৰাৰ দৰে, মই ততালিকে তাইৰ আতুৰ প্ৰাৰ্থনা মঞ্জুৰ কৰি তাইক গাড়ীৰ তললৈ সোমাই বহিবলৈ সঙ্কেত দিলোঁ। তাৰ পাচত, তাই আপোনা-আপুনি বলকি থকা কথালৈ মন কৰি বুজিব পাৰিলোঁ যে, তাই এজনী কোনোবা বাগিছাৰ পলৰীয়া কুলিয়নী। তাৰ পাচত আৰু কি আপদ চাপে তালৈ প্ৰতিক্ষণে চঁকি চঁকি অপেক্ষা কৰি নেযায় নুপুৱায় যেন দেখা ৰাতিটোৰ শেহছোৱা কোনো মতে পাৰ কৰালোঁ; পোহৰ বিৰিঙা মাত্ৰে কুলিয়নী জনী চাঁত্‌কৰে নেদেখা হ'ল। আমি আকৌ সেই অকলশৰীয়া তিনি প্ৰাণী টল্‌টল্‌কৈ ওলাই পৰিলোঁ! তাৰ পাচত দুপৰমানলৈকে লগৰ দুটি প্ৰাণীক টোপনিত শঁতাবলৈ সুবিধা দি মই ৰখীয়া স্বৰূপে গাড়ীত বহি বহি কিবাকিবি আকাশ পাতাল ভাবি ভাবি হঁহা কন্দা ভাৱে কটালোঁ। সিমান পৰলৈকে গাৰোৱানটো উলটি নাহিল। ইফালে দেখিলোঁ, ভোকে পিয়াহে প্ৰিয়া কাতৰা হৈ পৰিছে, লগুৱা-টোৰো মুখ শুকাই চুমৈ যেন হৈছে! কি কৰো, পানী এটোপা বিচাৰি আনিবলৈকো আঁতৰ হবলৈ স'ত যোৱা নাই! ইতিছেগত, ঈশ্বৰপ্ৰেৰিত দূতযেন ডাকোৱাল দুটা খিলিংখিলিংকৈ নগৰৰ ফালৰপৰা আহি আমাৰ কাষ পাইছেহি। মই লাহেকৈ গাড়ীৰপৰা ওলাই আগভেটা দি থিয় হৈ সিহঁতক অতি চমুকৈ আমাৰ বিপদৰ কথা জনালোঁ। সিহঁতে বতৰা দিলে যে, পুৱাতে গৰু এহালৰে সৈতে গাড়োৱান এটা পিচতে আহিব লাগিছে, সিহঁতে তাক ধনশিৰী-ঘাটতে পাই আহিছে। শুনি মৰাৰ মুখত জীপ্ আহিল। ডাকোৱালহঁতে পানীৰো সন্ধান দিলে আৰু কেইনলমানৰ আগতে এখন নিজনি বিল আছে বুলি। সেই সন্ধান মতেই এটুপি পানীৰ যোগাৰ কৰি লৈ প্ৰিয়াক আৰু লগুৱাক আমাৰ লগত থকা জলপান অলপ খুৱাই লৈ মই উদ্বিগ্ন চিতেৰে বাটলৈ চাই ৰলোঁ। চাওঁতে চাওঁতে আবেলি হ'লহি, গাৰোৱান নাহিল, বটা চাওঁতে চাওঁতে চকু বিষাইছে, গাৰোৱান নাই! আকৌ সন্ধিয়া চাপেহি এতিয়া! আকৌ যোৱা ৰাতিলৈ মনত পৰিল! মনৰ এনে উগুল-থুগুল অৱস্থাত তিনিও প্ৰাণী পাখিভগা শালিকীৰ দৰে ঢপ্‌ঢপাবলৈ ধৰিলোঁহক। এনেতে, মোৰ মনত আহিল যে, তাৰপৰা ডেৰ মাইল মানৰ আঁতৰত, আলিকেঁকুৰিত দেখি অহা সেই কেঞাগোলা পনলৈকে গৈ আমাৰ উদ্ধাৰৰ এটা উপায় কৰি আহোঁগৈ নে কি? তালৈকো ইহঁত দুইক অকলে এৰি যাবলৈ সত যোৱা নাই। কি কৰোঁ। ভাবিবৰো সময় নাই। অগত্যা মোৰ মনৰ প্ৰস্তাৱটো প্ৰিয়া আৰু লগুৱা ল'ৰাটোৰ আগত ব্যক্ত কৰিলোঁ। শুনি দুয়ো নিমাত! যাবলৈকো কব নোৱাৰে, নাযাবলৈকো নকয়। ময়ো মনৰ বেগত এবাৰ আগ বাঢ়োঁ, এবাৰ পিচ পৰোঁ, এই দৰে উজাই ভটীয়াই থাকি, এবাৰ চকু-আখি মুদি, 'যি কৰে ঈশ্বৰে' বুলি সেই কেঞাগোলা উদ্দেশি প্ৰাণকাতৰে লৰ ধৰিলোঁ। লৰি লৰি গৈ কেঞা মহাজন জনৰ আগত মই ফোঁপাই ফোঁপাই আমাৰ দুখৰ কাহিনী যিমান পাৰো চমুকৈ জ্ঞাপন কৰিলোঁ। তেওঁ তীক্ষ্ণ দৃষ্টিৰে সৈতে ততালিকে মোৰ অন্তৰৰ অৱস্থা ফটফটী-

য়াকৈ দেখি লৰালৰিকৈ তেওঁৰ চাকৰ দুটা আৰু ওচৰতে আলিৰ কাম কৰা কছাৰি কুলি দুটা মোৰ লগত দি কলে, "যাওক, বেগাই গৈ গাড়ীয়ে সৈতে ইফালে গুচি আহকগৈ।" মই তেওঁৰ শলাগ লবলৈ সময় নাপালোঁ; অনতিপলমে উলটি সেই বিপদৰ ঠাইলৈ লৰ ধৰিলোঁ। মোৰ লগে লগে কুলিহঁতো লৰিছিল, কিন্তু মোৰ সমানে লৰিব নোৱাৰাত সিহঁত অলপ পিচ পৰিল। মোৰ ধাতু নাই, সেই ছেগতে সিফালে সি দুটি প্ৰাণীৰ কি বিলাই হৈছে ভাবিবলৈকো উশাহ নোপোৱা হলোঁ। আহি থাকোঁতে এটা আৰ্ত্তৰাৱসূচক ৰিঙি শুনিলোঁ, "ঐ দৌতা, আহিছে-নেউ!" বৰুণৰ সেই ৰিঙি শুনি গাত যিঅলপ তত্ আছিল, সিও হেৰাল! সেই ছোৱা বাট কেনিনো আহিলোঁ কব নোৱাৰোঁ। যিহওক, মানুহ চাইটা আহি পোৱাত আমি তিনিওৰো গা অলপ গহীন লাগিল। তাৰ পাচত, প্ৰিয়াক গাড়ীৰ ভিতৰত বহুৱাই লৈ, মানুহৰ হতুৱাই গাড়ী টনাই নি কেঞাগোলাৰ আগত আলিৰ ওপৰতে ৰখালোঁগৈ। সেই সদাশয় মাৰোৱাৰী ভদ্ৰলোক জনে তেওঁৰ গোলাৰ গাদীত গৈ শুবলৈ আমাক জনাইছিল; পিচে প্ৰিয়াৰ অনিচ্ছা হোৱাত, সেই পৰম উপকাৰী আপদৰ বন্ধুজনৰ অনুৰোধ ৰাখিব নোৱাৰি তেওঁৰ অনুমতি লৈ গাড়ীতে শুই থাকিলো-হঁক। পিচদিনা পুৱাতে লগুৱা লৰাটোক টাউনলৈ পঠিয়ালোঁ, বাইদেও ভিনীহিদেওঁক জনাই আমাৰ নিমিত্তে অন্য উপায় যুগুতি কৰিবলৈ বুলি। ইফালে মাৰোৱাৰী বন্ধুজনৰ শুশ্ৰূষা গ্ৰহণ কৰি আমিও সকাহ পাই এফেৰি জিৰাবলৈ ধৰিলোঁ। তাৰ পাচত, আবেলি ৪ চাৰিমান বজাত আন এহাল গৰুৰে সৈতে আগৰ গাৰোৱানটোকে লগত লৈ বৰুণ ওলালহি। আগৰ হাল গৰু চিটিকি পলাই আহি কেঞাগোলাতে ৰৈছিলহি; এতিয়াও সিহঁতক গোলাৰ জিম্মাতে গতাই থৈ, আমি আকৌ বাট খেদিবলৈ ধৰিলোঁহক। পাচত অনা গৰুহাল চোকা আৰু বলী। গতিকে, সন্ধিয়া নৌ লাগোতেই আমি নায়বৰ হাবি পাৰ হৈ গৈ ৰাতি এদাঁৰমান যোৱাত বৰপথাৰ পালোঁগৈ। তাতে ৰাতিটো জিৰালোঁ। ইয়াৰ পাচত, ইয়াৰ নামনাচ আৰু কেইবাটাও আপদ বিপদ এৰাই গৈ নিৰ্দ্ধাৰিত দিনতকৈ এদিন পলমে কহিমা ওলালোগৈ। পলম হোৱাৰ বাবে উদ্বিগ্ন হৈ বাটলৈ চাই থকা চেকেণ্ডমাষ্টৰ জ্যোতিৰ্ম্ময় সেন বাবুৱে আগবাঢ়ি গৈ টাউনৰ সীমাৰ সিপাৰৰপৰা আমাক আদৰি আনিলেগৈ। তাৰ পাচত, মোৰ বঁহাৰ পদুলিমুৰ পাই দেখোঁ যে, কলাপুলি এযোৰৰ দুপাশে মোৰ সমনীয়া বন্ধু খাজাঞ্চি ইন্দ্ৰধৰ ৰাজখোৱা আৰু একউণ্টেণ্ট শৰৎচন্দ্ৰ সেন থিয় দি আমাৰ অপেক্ষাত ৰৈ আছে। মই দুইৰে সৈতে কোলাকুলি কৰি দুইকো মোৰ চেনেহৰ আলিঙ্গন দিলোঁ। সেই ক্ষণতে পিতৃব্য প্ৰতিম ৰায় বাহাদুৰ যাদৱচন্দ্ৰ বৰুৱা, অগ্ৰজ যেন পলিচ ইন্‌স্পেক্টৰ গৌৰীনাথ গগৈ আৰু ডেপুটীকমিশ্যনাৰৰ কাছাৰিৰ চুপাৰিণ্টেণ্ডেণ্ট ৺কেশৱচন্দ্ৰ বৰুৱা প্ৰমুখ্যে আন আন বন্ধুবৰ্গও আহি চাপিলহি। সিবিলাক সকলোটি কাছাৰিলৈ যোৱা পোছাকেৰেই আহিছিল; কিয়নো তেতিয়া পুৱা ১১ বাজোঁ বাজোঁ। সিবিলাকে লৰালৰিকৈ বিদায় লৈ আঁতৰ হোৱাত, মই প্ৰিয়াক গাড়ীৰপৰা নমাই ভিতৰলৈ লৈ গলোঁ। তাতো দেখোঁ গৈ যে, ৰায়বাহাদুৰৰ ভাৰ্য্যা বৰুৱানী প্ৰমুখ্যে কেইবা গৰাকীও মহিলাই কন্যাক আদৰিবলৈ সাজু হৈ আছে। মই সিবিলাকৰ হাতত এওঁক গতাই দি ক্ষন্তেকলৈ আজৰি হলোঁ; আৰু সেই ছেগতে ঘৰ-ৰখীয়া নগা চোকীদাৰটোক বাহিৰৰ লাগতিয়াল কাম বনৰ দিহা দি ললোঁ। ইতিসময়ত, সিফালে চেকেণ্ডমাষ্টৰ বাবুৱে আধাঘণ্টামানলৈ স্কুল ছুটি দি ছাত্ৰবৃন্দক সিহঁতৰ গুৰুভাৰ্য্যা ন-কন্যা চাবলৈ বুলি এৰি দিলেগৈ। ক্ষন্তেকৰ ভিতৰতে মোৰ সেই প্ৰিয়ছাত্ৰবৃন্দ আহি চোতাল ভৰি পৰিলহি। ভিতৰৰপৰাই ল'ৰাহঁতক দেখা দিবৰ কাৰণে মই অনুৰোধ কৰাতো তেওঁ নোলাল। গতিকে, মই লাহেকৈ দুৱাৰ মুকলি কৰি দিয়া মাত্ৰকে ছাত্ৰবৃন্দ ভিতৰত উপচি পৰিলগৈ। গুৰুভাৰ্য্যাক হেঁপাহেৰে বেঢ়ি ধৰি অজলা বালকবৰ্গে খিল্‌খিল্‌কৈ হাঁহে। তেওঁ লাজত আঁচলেৰে মুখ ঢাকি তলমূৰ কৰে। নগা ল'ৰা হঁতে তেওঁৰ গাত হাত ফুৰাই মৰম জনাবলৈ চাপি যায়, তেওঁ আচহুৱা ভাবত আছাৰ খাই আঁতৰি যায়। এই ভাৱে অলপৰ আনন্দদৃশ্য উপভোগ কৰি উঠি, ছাত্ৰবৃন্দক লগত লৈ, মই স্কুলত 'হাজিৰ' হোৱা লেঠাটো মাৰি থৈ আহিবলৈ গলোঁ।

"শিক্ষাবিধি" প্ৰণয়ন।—সাংসাৰিক বিষয় জঞ্জাল বিস্তৰ বাঢ়িবলৈ নিদি, প্ৰথম ছমাহ দাম্পত্য জীৱন নিজঞ্জালে পাৰ কৰিলোঁ। সপ্তম মাহত 'মোৰ পূৰ্ব্বৰ সংকল্পিত আধৰুৱা বিষয়ক ওকালতি পৰীক্ষা দিয়া চিন্তাই মনত ভুমুকিয়াবলৈ ধৰিলে। তদৰ্থে আগৰ বাৰত এৰা পৰাৰ পৰা দুবছৰ মানৰ পাচত, আকৌ মোৰ আইন অধ্যয়নৰ ব্যৱস্থা কৰি লৈ কৰ্ত্তব্যত এখোজ আগ বাঢ়িছোঁ, এনেতে ওপৰৰপৰা আদেশ আহিল যে, অহা ডিপাৰ্টমেণ্টাল পৰীক্ষাত শিক্ষাবিধি বিষয়ত (Art of Teaching) উত্তীৰ্ণ হৈ মই মোৰ পদত নিগাজী হব লাগে। তেতিয়ালৈকে, প্ৰথম দুবছৰ, মই প্ৰবেচনাৰ (on Probation) হৈয়ে আছিলোঁ। তাৰ লগে লগে সেই সম্পৰ্কে মোৰ অভিভাৱক স্বৰূপ ডিৰেক্টৰ মিষ্টাৰ জে, উইলচন চাহাবৰপৰা এখন ভিতৰুৱা পত্ৰও পালোঁ। অধিক অনা-গুণা কৰিবলৈকো চল নাপালোঁ। মিঃ উইলচন চাহাবৰ ভিতৰুৱা চিঠিখনৰ প্ৰেৰণাত মই অনতিপলমে সেই বিষয়ে সাজু হব লগাত পৰিলোঁ। গতিকে, ততালিকে মই ইটো বিষয় আকৌ কাতিকৈ থৈ সিটো আগত ললোঁ। ছমাহ একাণপতীয়া মনোযোগেৰে ইংৰাজী শিক্ষাবিধি গ্ৰন্থাদি অধ্যয়ন কৰি উঠি, নিৰ্দ্ধাৰিত শিক্ষকৰ ডিপাৰ্টমেণ্টাল পৰীক্ষা দি, শিক্ষাবিধি বিষয়ত বৰ সুখ্যাতিৰে সৈতে উত্তীৰ্ণ হলোঁ। সেই পৰীক্ষাৰ ফল গেজেটত প্ৰকাশ হোৱাৰ লগে লগে ডিৰেক্টৰ মিঃ উইলচন চাহাবে আৰু এখনি ভিতৰুৱা পত্ৰেৰে মোক উৎসাহমূলক ধন্যবাদ দি কলে যে, শিক্ষাবিধি বিষয়ক পৰীক্ষাত বৰ সন্তোষজনক নম্বৰ পাইছোঁ (১০০ নম্বৰৰ ভিতৰত ৯৫ নম্বৰ) মই সদৌ অসমত সৰ্ব্বপ্ৰথম ঠাই অধিকাৰ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হোৱাত তেখেতে নথৈ ৰং পাইছে, আৰু সেই সূত্ৰেই তেখেতে সঙ্কেত দি থলে যে, অসমীয়া ভাষাত সেই বিষয়ক এই ডাঙৰ অভাৱটো গুচাবলৈ মই যত্ন কৰিব নোৱাৰোনে? সেই সঙ্কেতত মই সবিশেষ বুজি ললোঁ। অলপ আগৰেপৰা, অৰ্থাৎ ইংৰাজী শিক্ষাবিধি গ্ৰন্থাদি অধ্যয়ন কৰিবলৈ ধৰাৰে পৰা মোৰ মনতো সেই বিষয়ক ভাবনাই খেলাই আছিল। গতিকে, সেই সোণাময় ছেগতে অসমীয়া ভাষাত এখন "শিক্ষাবিধি" লিখি উলিয়াবলৈ কাপ হাতত ললোঁ। এই কাৰ্য্যত মই বৰ টানকৈ শ্ৰম কৰিব লগীয়াও ন'হল, কিয়নো শিক্ষাদান বিষয়ক বিধিৰ ভেঁটি বান্ধিবলৈ মোৰ মনত যথেষ্ট আহিলা পাতিৰ সমল তেজা হৈয়ে আছিল। তাৰ লগতে আমাৰ দেশত পূৰ্ব্বাপৰ প্ৰচলিত থকা শিক্ষাবিষয়ক ৰীতি-নীতি বোৰৰ সংস্কাৰ সাধি ঠায়ে ঠায়ে যথাৱতকৈ যোগ দিয়া হ'ল মাথোন। ছমাহৰ মূৰত মোৰ "শিক্ষাবিধি" প্ৰণয়ন কাৰ্য্য সমাপন হ'ল। তাৰে নকল এটা ডিৰেক্টৰ চাহাবলৈকো পঠিওৱা গ'ল। তাৰপৰা তিনি মাহমানৰ মূৰত, নগাওঁ টেক্সটবুক কমিটীৰ জৰীয়তে সেই হাতেলিখা পুথিখন উলটি মোৰ হাতত পৰিলেহি। দেখিলো, টেক্সটবুক কমিটীয়ে মোৰ সেই "শিক্ষাবিধি" পুথিখন অসম উপত্যকাৰ নৰ্ম্ম্যাল স্কুলত পাঠ্য আৰু অসমীয়া পঢ়াশলীয়া গুৰুসকলৰ হাতৰ পুথি (Guide) স্বৰূপে মঞ্জুৰ কৰি পঠিয়াইছে। দেখি, মোৰ অন্তৰত আনন্দ-উলাহ উপচি পৰিল। সেই উলাহতে উচালি উঠি, মই পুথিখন অনতিপলমে ছপাই প্ৰচাৰ কৰিবলৈ বুলি দিহাকৰণত হাত দিলোঁ। "অ, ভা, উ, সা, সভা" আৰু "সাহিত্য সভা"ৰ উপদেশ আৰু পৰামৰ্শ গ্ৰহণ কৰি 'শিক্ষাবিধি' কলিকতাৰ সাম্য প্ৰেছত ছপাবলৈ পঠিয়াই উঠিছোঁ মাথোন, এনেতে ওপৰৰপৰা হুকুম আহিল যে, মোক তেজপুৰ নৰ্ম্ম্যাল স্কুলৰ হেড মাষ্টৰৰ পদলৈ বদলি কৰা হৈছে; আৰু মই সেই হুকুমপত্ৰৰ তাৰিখৰপৰা ১৫ দিনৰ ভিতৰত তেজপুৰলৈ গৈ তাৰ নৰ্ম্ম্যাল স্কুলৰ সেই সময়ৰ বৰ্ত্তমান হেডমাষ্টৰ (তেতিয়া শ্ৰীযুত) ৺ ৰায় চাহাব দুৰ্গাধৰ বৰকটকীক অজৰাই দিবগৈ লাগে। ভাবিব চিন্তিবলৈ সময় নাই। এপথৰ ভিতৰত কথমপিহে কহিমাৰ পৰা তেজপুৰ পাবহি পাৰি। তাতে আকৌ মই সংসাৰত গুটীয়া নহয়, দুটীয়া। নতুন ঠাইলৈ বাজে বাজে লৈ নগৈ, মোৰ ভাৰ্য্যাক আমাৰ উত্তৰলক্ষ্মীম্ পুৰৰ ঘাইঘৰত থৈ যোৱাটো স্থিৰ কৰা হ'ল। গতিকে, আৰু এদিনো পলম কৰিবলৈ সাধ্যহীন হৈ, লৰালৰিকৈ চেকেণ্ড মাষ্টৰ বাবুৰ জিম্মাত স্কুলৰ চাৰ্জ্জ চম্‌জাই থৈ,মোৰ বন্ধু-বান্ধৱ সকলৰ ওচৰত বিদায় লৈ, মোৰ অতি-আদৰুৱা মনোৰঞ্জক ঠাই কহিমা এৰিবলৈ সাজু হলোঁ। আহিবৰ আগদিনা 'কহিমা-সাহিত্য সভাঘৰত' দুয়োখন সাহিত্য সভাই (অ, ভা, উ, সা, আৰু সাৰ্ব্বজনীন সাহিত্যসভা) মিলি যুটীয়াকৈ মোক বিদায় সম্ভাষণ জনাবলৈ এখন ডাঙৰ সভা পাতিছিল। কহিমাবাসী সদৌ সাম্প্ৰদায়িক সৰু বৰ অনেক লোক সমবেত হৈছিল। বিদায় গ্ৰহণত মই 'যাওঁ' বুলিবলৈ মোৰ মাত নোলাল, চকু লো টুকি টুকি গধুৰ মনেৰে আঁতৰ হলোঁ।

ৰায় বাহাদুৰ ৺ঘনশ্যাম বৰুৱা

—শ্ৰীযুত গোপিকাবল্লভ গোস্বামী

অসমৰ উজ্জ্বল ৰত্ন ৺ঘনশ্যাম বৰুৱাৰ নাম কোনেও নজনা নাই। গোলাঘাট অঞ্চলৰ খুম্‌তাই মৌজাৰ খুম্‌তাই গাওঁত প্ৰসিদ্ধ বৰুৱা বংশত ১৭৮৯ শকৰ ৩ বহাগৰ দিনা (ইংৰাজী ১৮৬৭ চন ১৫ এপ্ৰিল) তেখেতৰ জন্ম হৈছিল। ৺কান্তিৰাম বৰুৱা ডাঙৰীয়া মৌজাদাৰৰ তেখেত সুমলীয়া পুতেক আছিল। তেখেতৰ জন্মৰ সময়ত এনে ভাবে



জন্ম সময়—
সূৰ্য্যোদয়ৰ পৰা ৫৪ দণ্ড যোৱাত।
তাৎকালিক লগ্ন স্ফুট ৰাশ্যাদয়ঃ
১০।১৫।৪৩।৫১।

গ্ৰহবিলাকৰ সংস্থান আছিল যে জ্যোতিষ জনা লোকে ততালিকে কব পাৰিব যে জাতক এজন অতি কীৰ্ত্তিশালী আৰু বিখ্যাত পুৰুষ হব।

তাৎকালিক গ্ৰহস্ফুট কৰিলে দেখা যায় যে জন্মকালত প্ৰত্যেক গ্ৰহই নিজ নিজ ভাবত আছিল। কোনো গ্ৰহ সন্ধিগত হোৱা নাই। গ্ৰহ এটাইবিলাকেই বলী। ৰবি পঞ্চ বৰ্গত উত্তীৰ্ণ হোৱা হেতু সিংহাসন যোগ, চন্দ্ৰ তিনি বৰ্গত উত্তীৰ্ণ হৈ উত্তম নামে যোগ, মঙ্গল সপ্ত বৰ্গত উত্তীৰ্ণ হৈ দেৱলোক নামে যোগ, বুধ ষড় বৰ্গত উত্তীৰ্ণ হৈ পাৰাবত নামক যোগ, গুৰু পঞ্চ বৰ্গত উত্তীৰ্ণ হৈ সিংহাসন নামে যোগ আৰু শুক্ৰই ষড় বৰ্গত উত্তীৰ্ণ হৈ পাৰাবত নামে যোগ হৈছে। এই এটাই বিলাকেই ৰাজ যোগ। লগ্নত গুৰু শুক্ৰ থাকি কেন্দ্ৰী হোৱাত তেখেত অতি বুদ্ধিমান আৰু বাগ্মী হৈছিল। বিদ্যাধিপতি শুক্ৰ লগ্নগত হোৱাত বিবিধ বিদ্যাত পাৰ্গত হৈছিল। ৰবি, ৰাহুৰ তুঙ্গ হোৱাত চন্দ্ৰ, গুৰু, শুক্ৰ আৰু শনি এই চাৰিজন গ্ৰহ কেন্দ্ৰস্থলত থকাত আৰু দশমস্থ শনিৰ ওপৰত দশমাধিপতি মঙ্গলৰ আৰু অন্যান্য গ্ৰহৰ দৃষ্টি থকাত কৰ্ম্মস্থানটি অতি শুভ। এই

বিলাকৰ ফলতে তেখেত মন্ত্ৰী হব পাৰিছিল। এই বিলাক যোগৰ ফলতে তেখেতৰ বাক্য আৰু ব্যৱহাৰত অকণো ভেৰৰ চিন নাছিল। বাস্তবিক পক্ষে তেখেতৰ নিচিনা নম্ৰ আৰু বিনয় প্ৰকৃতিৰ মানুহ এজনা পোৱা অতি দুৰ্লভ। তেখেতৰ নিধনভাব দুৰ্ব্বল। সেই নিধন ভাবত পূৰ্ণ বলী হৈ থকাত তেখেত ভাল স্বাস্থ্যবান্ বা নিবোগী হব পৰা নাছিল। ১৯২২ চনৰ ৰবিদিনৰ বহুত ছিলং ৰাজধানীৰপৰা তেখেত এবাৰ গোলাঘাটলৈ আহিছিল। তেতিয়া এই প্ৰবন্ধ লেখকক তেখেতৰ দশা চাবলৈ দিছিল। অষ্টোত্তৰী ক্ৰমে তেতিয়া তেখেতৰ বাহুৰ দশা আছিল। লেখকে মাৰক স্থানৰ বিচাৰ কৰি আৰু কক্ষ্যা সংস্থাবৰ স্ফুট পৰমায় গণি তেখেতক কৈছিল যে যি বাহুৰ দশাতেই তেখেতে ইমান উচ্চপদ লাভ কৰিছে সেই বাহুৰ দশাতেই তেখেতৰ প্ৰাণনাশ জনক ৰোগ হোৱাৰ সম্ভৱ। এই কথা কোৱাৰ অলপ দিনৰ পিছতে ইংৰাজী ১৯২৩ চনৰ অগোকাষ্টমীৰ দিনা তেখেত স্বৰ্গী হয়। মুঠতে ক'ৰবৈ গ'লে এখেতৰ সোঁহৰণীৰ নিচিনা ভাল সোঁহৰণী অতি বিৰল। এনে সোৱঁৰণীৰ পৰা জ্যোতিষ শিকাকসকলে অনেক কথা শিকিব পাৰে।

সেইকালত গোলাঘাটত কোনো হাইস্কুল নথকাত শিৱসাগৰৰ হাইস্কুলত ইংৰাজী শিক্ষা কৰিছিল। তেখেতৰ শিক্ষকসকলৰ ভিতৰত এতিয়া মাথোন এজন বৰ্ত্তমান আছে। তেওঁৰ নাম মৌলবী দিল মহম্মদ হাজৰিকা আৰু তেওঁ শিৱসাগৰত থাকে। মৌলবী চাহাব এজন অতি উদাৰ আৰু অমায়িক লোক। কথাৰ প্ৰসঙ্গত তেখেতে এদিন এই লেখকক কৈছিল যে 'দি লাই বাড়িয় চুপাতে চিন।' তেওঁৰ স্বভাৱ, চৰিত্ৰ বিদ্যা, বুদ্ধি দেখি শিক্ষকসকলে হেনো তেতিয়াই জানিব পাৰিছিল যে কালত তেওঁ এজন ডাঙৰ মানুহ হব। শিৱসাগৰ হাইস্কুলৰপৰা এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰি কলিকতাত কলেজত পঢ়ে। গোলাঘাটৰ পৰা শিৱসাগৰলৈ যাবলৈ সেই কালত বেল জাহাজ নাছিল। তেখেতে হাঁতীৰে বামে দি শিৱসাগৰলৈ গৈছিল। যাওঁতে তিন দিন লাগে, বাটো বাঘ ভালুকেৰে ভৰা। অবশেষত বি-এল পাছ কৰি ১৮৮৯ চনৰ ৩১ ডিচেম্বৰৰ পৰা গোলাঘাট কহাৰিত ওকালতি আৰম্ভ কৰে। তেতিয়া গোলাঘাটত বি কেজন উকীল আছিল, সেই এটাই কেজনেই বঙ্গালী। এখেতৰ অলপ পাছতে প্ৰায় একে সময়তে ৺কৃষ্ণপ্ৰসাদ দুৱৰা ৺দেবীচৰণ বৰুৱা আৰু শ্ৰীযুত গোপীনাথ বৰ্দ্ধলৈ ডাঙৰীয়াই (এখেত এতিয়া ঘোৰহাটত) গোলাঘাটৰ কহাৰিত ওকালতি আৰম্ভ কৰে। তেতিয়াবে পৰা ১২০ চনলৈকে ৺ধনঞ্জয় বৰুৱা ডাঙৰীয়াই গোলাঘাটত উকীলৰ কাম কৰিছিল। ওকালতি আৰম্ভ কৰাৰ অলপ দিনৰ ভিতৰতে এখেতৰ নাম চাৰিউ পিনে বিয়পি পৰিছিল আৰু ইয়াৰ সকলো ডাঙৰ মোকৰ্দ্দমাতে এফালে তেখেত উকীল আছিল। ৺আউনী আটী সত্ৰৰ অধিকাৰ অ'ক ডেকা অধিকাৰৰ ভিতৰত জন্ চাহাবৰ আদালতত হোৱা মোকৰ্দ্দমাত তেখেত ডেকা অধিকাৰৰ ফালে উকীল আছিল। সাক্ষীক কূট জেবা কৰাত আৰু মোকৰ্দ্দমাত তৰ্ক কৰাত তেখেতৰ নিচিনা উকীল বিৰল। ইংৰাজী কব পৰা শক্তিও তেখেতৰ অতি বেচি আছিল। উকীল হিচাবে তেখেতৰ ঠাই পুৱাবলৈ বহুত দিন লাগিব।

ইংৰাজী ১৮৮৮ চনত স্বৰ্গীয় গোবিন্দ চন্দ্ৰ বেজবৰুৱা ডাঙৰীয়াই গোলাঘাটত হাইস্কুল স্থাপন কৰে। এই কাৰ্য্যত ৺ঘনশ্যাম বৰুৱা ডাঙৰীয়াই বেজবৰুৱা ডাঙৰীয়াক অনেক সহায় কৰিছিল।

ৰাইজৰ সকলো কামতে তেখেত আছিল। মিউনিচিপেলিটি আৰু লোকেল-বোৰ্ড আদিত সুখ্যাতিৰে সৈতে অনেক দিন সুচাক ৰূপে ভাইচ চেয়াৰমেনৰ কায কৰিছিল। তেখেতৰ উদ্যোগ আৰু যত্নতেই গোলাঘাটত টাউন ৰেঞ্চ স্থাপিত হয়। হিতসাধিনী সভাৰ স্থায়ী সভাপতি ৰূপেও তেখেতে বাজহুৰ হকে অনেক কাজ কৰিছিল। গোলাঘটীয়া ৰাইজে চৰ্কাৰী হাইস্কুল পোৱাৰ গুৰিও তেখেতেই আছিল। ১৯১২ চনতে আসাম কাউন্সিলৰ মেম্বৰ আৰু তাৰ পিছত দিল্লীত বহা ইম্পিৰিয়েল কাউন্সিলৰ মেম্বৰ হৈছিল। এই সময়তে তেখেতক 'গৱৰ্ণমেণ্টে ৰায় বাহাদুৰ' খিতাপ দিয়ে। ১৯২০ চনত আসাম গৱৰ্ণমেণ্টৰ মিনিষ্টাৰ নিযুক্ত হয়। এই কাম কৰি থাকোতেই ছিলংত তেখেত স্বৰ্গী হ'ল। বৰ্ত্তমান

মিউনিচিপেল আইনখন তেখেতেই কবি তোলা। ৰাজনীতি ক্ষেত্ৰত হেখেত মদাবেট পন্থী আছিল।

ইমান বিলাক লাহিত পূৰ্ণ কাম কৰিও তেখেতে বেদ, বেদান্ত, দৰ্শন, উপনিষদ, স্মৃতি, তন্ত্ৰ আৰু জ্যোতিষাদি বিবিধ শাস্ত্ৰ চৰ্চ্চা কৰিছিল আৰু সেই বিলাক শাস্ত্ৰত তেখেতৰ অগাধ পাণ্ডিত্য্ হৈছিল। অনেকেই স্মৃতিৰ ব্যৱহাৰ তেখেতৰ পৰা নিছিল। তেখেতে কৰা কোজী এটিয়াও অনেকৰ ধৰত আছে। চিকিৎসা শাস্ত্ৰতো এখন ৰ অভিজ্ঞতো আছিল। হোমিওপেথি ঔষধ আনি বিনা মূল্যে সকলোকে দান কৰিছিল। ডাক্তৰে ভাল নহয় বুলি এৰি দিয়া অনেক ৰোগীয়েই তেখেতৰ চিকিৎসাত ভাল হোৱা কথা গোলাঘাটৰ সকলোৱেই জানে। লুপ্তপ্ৰায় অসমীয়া প্ৰণালীৰ চিকিৎসাটো উদ্ধাৰ কৰিবলৈকো তেখেতে বিশেষ যত্ন কৰিছিল। গোলাঘটীয়া ৰাইজে তেখেতক "ৰব উকীল" নামেৰেহে জানিছিল। গোৰব এখন লাগিলেও "ৰব উকীল" নহিয়া পৃথিবীও "ৰব উকীল", পাঁজি পুথি এখন চাব লাগিলেও 'ৰব উকীল' সোঁহৰণী এখন চাব লাগিলেও 'ৰব উকীল', বুধি সন্ধি এটা লব লাগিলেও 'ৰব উকীল' দান দখিনা মাগিবলৈ হ'লেও 'ৰব উকীল' কোনো কথাতে গোলাঘটীয়া ৰাইজে 'ৰব উকীল' এৰিব নোৱাৰিছিল। ভেৰ গণৰ লেশ নাই, খৰৰ সচ নাই। এনেকুৱা এজন মানুহ বাস্তৱিকতে দুৰ্ল্লভ। মিনিষ্টাৰ হোৱাৰ পাছতো তেখেতৰ স্বভাৱ চৰিত্ৰ বা চলন সুধৰণৰ অকণো খৰচৰ হোৱা নাছিল। পূৰ্ব্বৰ দৰেই সকলোৰে ঘৰলৈ গৈছিল আৰু সকলোৰে লগত কথা বাৰ্ত্তা পাতিছিল। ইংৰাজী সংস্কৃত আৰবি আৰু পাৰ্চী আদি, ভাষা তেখেতে ভালকৈ জানিছিল। উকীল পাৰলৈ আছে, পণ্ডিত পাৰলৈ আছে চিকিৎসক পাৰলৈ আছে, জ্যোতিষ শাস্ত্ৰজ্ঞও পাৰলৈ আছে। কিন্তু একেজনতে এই এটাই বিলাক গুণ থকা এজন পাৰলৈ নাই। ডাক্তৰী পাছ নকৰিও কেনে চিকিৎসাত নিপুণ আৰু ব্ৰাহ্মনৰ ঘৰত জন্ম নলৈয়ো কেনেকৈ বেদ-বেদান্ত আদি শাস্ত্ৰত পাৰ্গত হ'ব পাৰে তেখেতেই জনন্ত উদাহৰণ। মই এই সক প্ৰবন্ধটত তেখেতৰ বিষয়ে অলপহে উদ্ধৃকিয়ালোঁ। আশা কৰোঁ এনে এজন মাতৃ ভূমিৰ সুযোগ্য সন্তানৰ সোনকালে এখন জীৱন চৰিত ওলাই আমাম আইৰ গৌৰৱ বৃদ্ধি কৰিব। এই প্ৰবন্ধ লেখকতকৈ তেখেতৰ বিষয়ে বেচিকৈ জনা তেখেতৰ সৈতে একেলগে পঢ়া এতিয়াও কেবা জনো বহু আছে। এই বিষয়ে অলপ কাণ দিলেৰে তেখেত সকলক হে বিশেষকৈ অনুৰোধ কৰিলোঁ।

অক্ষৰ ইতিহাস

[৭ম কথা]

—পঞ্চপাণ্ডৱৰ দিনত অক্ষ চৰ্চ্চা—

লিখক—শ্ৰীযুত দণ্ডী ৰাম দত্ত

প্ৰায় ৪২ হাজাৰ বছৰ হ'ল। খ্ৰীঃ পূঃ ২৯ হাজাৰ বছৰ পূৰ্ব্বে পাণ্ডৱসকলৰ জন্ম কাল। বিখ্যাত পণ্ডিত সকলে এই সময় নিৰূপণ কৰিছে। তেতিয়া বিশ্ব বিশ্ৰুত ব্যাসদেৱে মহাভাৰত ৰচনা কৰিছিল। সেই কালতো যে অঙ্ক জ্যোতিষৰ চৰ্চ্চা চলিছিল তাক বিচাৰ কৰাই এই প্ৰবন্ধৰ উদ্দেশ্য।

সপ্তৰ্ষিমণ্ডল কি যন্ত্ৰ, চান্দ্ৰমাহ, সৌৰমাহ কি, তাক সেই সময়ত চৰ্চ্চা কৰিছিল। তাৰ পিছতো গৰ্গ, পৰাশৰ,

আৰ্য্যভট্ট, বৰাহমিহিৰ আদি অনেক পণ্ডিতে এইবোৰৰ বিষয় অনেক পুথি লিখিছে।

তেতিয়াৰ অঙ্ক চৰ্চ্চা সম্বন্ধে বিশেষকৈ ১৩০৫ শকৰ ৯ম বৰ্ষ, ১২ সংখ্যা, চত মাহৰ বঙ্গদেশৰ "সাহিত্য পত্ৰিকাত" এটি গবেষণা পূৰ্ণ প্ৰবন্ধ প্ৰকাশ হৈছে।

মহাভাৰতৰ বিৰাট পৰ্ব্বত গো হৰণ পৰ্ব্বত কৌৰৱসকলে অৰ্জ্জুনক দেখি তেৰ বছৰ কাল নোহোৱা বুলি ঠাট্টা কৰিছিল। তেতিয়া মুনিবৰ ভীষ্মদেৱে এই দৰে তেৰ বছৰ গণনা কৰিছিল :—

পঞ্চমে পঞ্চমে বৰ্ষে দ্বৌ মাসাবুপজায়তঃ ॥
এষানপ্যধিকা মাসাঃ পঞ্চ চ দ্বাদশ ক্ষপাঃ।
এয়োদশানাং বৰ্ষাণামিতি মে বৰ্ত্ততে মতিঃ ॥

অৰ্থাৎ প্ৰতি পাঁচ বছৰত দুই মাহ বেছি হয়। তেৰ বছৰৰ ভিতৰত পাঁচ মাহ বাৰ দিন বেছি হয়।

আকৌ সৌৰ পাঁচ বছৰত ১২+৫=৬১ মাহ। আৰু ২ মাহ বেছি হয়। ১৩ বছৰত ৫ মাহ ১২ দিন বেছি হয়। তেনেহলে ১৩ সৌৰ বছৰত ১২×১৩=১৫৬ মাহ। ১৫৬ মাহ+৫ মাহ=১৬১ চান্দ্ৰমাহ আৰু ১২ দিন হিচাব কৰিছিল।

এই চান্দ্ৰমাহ আৰু সৌৰ মাহ প্ৰায় মিলে। তেতিয়া কিন্তু চান্দ্ৰমাহ হিচাব কৰি কাৰ্য্য চলাইছিল।

চান্দ্ৰমাহ পবিত্ৰ মাহ বুলি ধৰে। তেতিয়াৰ জ্যোতিষ, পঞ্জিকা পুৰাণ আদি শাস্ত্ৰৰ মতানুযায়ী দক্ষিণায়ণ উত্তৰায়ণৰ সময় নিৰ্ণয় কৰিছিল। অন্যান্য মাহ তিথি সংক্ৰান্তিত হিচাব কৰিছিল। পুহৰ অমাবস্যাৰ দিনৰপৰা সূৰ্য্যই দক্ষিণায়ণ ত্যাগ কৰে। এই কাৰণে আৰু অন্যান্য কাৰণে মাঘ মাহত শুক্লপক্ষ চিৰদিন থাকে। সেই তিথিত ভীষ্মদেৱে দেহত্যাগ কৰিছিল। সেই নিমিত্তে আজিও সেই অষ্টমী ভীষ্মাষ্টমী নামে খ্যাত, যেনে :—

শুক্লাষ্টম্যান্তু মাঘস্য দদ্যাদ্ ভীষ্মায় যো জলম্
সংবৎসৰকৃতং পাপং তৎক্ষণাদেব নশ্যতি ॥
—ৰঘুনন্দন কৃত ভবিষ্যোত্তৰে

ভীষ্মদেৱৰ বক্তব্য :—

মাঘোঽয়ং সমনুপ্ৰাপ্তো মাসঃ সৌমো যুধিষ্ঠিৰ।
ত্ৰিভাসশেষঃ পক্ষোঽয়ং শুক্লো ভবিতুমৰ্হতি ॥

সূৰ্য্যৰ দক্ষিণায়ণত ভীষ্মদেৱৰ মৃত্যু নহৈ উত্তৰায়ণত হবলৈ তেওঁ কিছুদিন অপেক্ষা কৰিছিল। পাছত চান্দ্ৰ বা পবিত্ৰ মাঘ মাহৰ শুক্লপক্ষত স্বৰ্গী হয়।

বেদাঙ্গ জ্যোতিষ, গণনাকাৰীৰ মতানুযায়ী পুহৰ অমাবস্যাৰ ১৪ দিন পাছত মাঘীপূৰ্ণিমা হয়। মাঘী পূৰ্ণিমাৰ দিনত চন্দ্ৰ মঘা নক্ষত্ৰত থাকে। আৰু তাৰ পৰা চতুৰ্দ্দশ নক্ষত্ৰত শতভিষাত সূৰ্য্য থাকে; মাঘী পূৰ্ণিমাত সূৰ্য্য শতভিষাত আৰু তাৰ পূৰ্ব্বৰ অমাবস্যাত ধনিষ্ঠাত থাকে। ধনিষ্ঠাত সূৰ্য্যৰ উত্তৰায়ণ হওঁতে ভৰণীৰ শেষ পদত বিষুৱ আৰু অশ্লেষাৰ অৰ্দ্ধত দক্ষিণায়ণ আৰম্ভ হয়।

এই সকলো নিয়ম ভীষ্মদেৱৰ সময়ৰ পৰা আহিছে। তেতিয়া যে প্ৰাচীন পঞ্জিকা চলিছিল তাক বুজা যায়।

সংহিতাৰ প্ৰমাণঃ—বৃহৎসংহিতাৰ বৰাহমিহিৰে সপ্তৰ্ষিৰ কথা লিখিছে।

আসন্ মঘাসু মুনয়ঃ শাসতি পৃথ্বীং যুধিষ্ঠিৰে নৃপতৌ।
ষড় দ্বিকপঞ্চদ্বিযুতঃ শক কাল স্তস্য ৰাজ্ঞশ্চ ॥
একৈকস্মিন্নৃক্ষে শতং শতং তে চৰন্তি বৰ্ষাণাম্।
প্ৰাগুদয়তো হপ্যবিবৰাদুজুন্নয়তি তত্ৰ সংযুক্তাঃ ॥

অৰ্থাৎ—মৰীচ্যাদি সপ্তৰ্ষি যুধিষ্ঠিৰ নৃপতিৰ পৃথিৱী শাসনকৰা কালত মঘা নক্ষত্ৰ আছিল। শকাৰম্ভৰ ২৫২৬ বছৰ পূৰ্ব্বে তেওঁৰ ৰাজত্বকাল। সপ্তৰ্ষিগণ এক এক নক্ষত্ৰত শত বছৰ বিচৰণ কৰে। পূবৰ দিকত সকলো নক্ষত্ৰৰ সদায় উদয় হৈ থাকে। তাৰ ভিতৰত যি নক্ষত্ৰৰ উদয় হোৱাত সপ্তৰ্ষি পংক্তিৰ স্পষ্ট প্ৰকাশ হয়, সেই নক্ষত্ৰকে সপ্তৰ্ষি মণ্ডল বোলে।

সপ্তৰ্ষিমণ্ডলৰ গতি বিধি সম্বন্ধে কশ্যপ মুনিৰ উৎপল শাস্ত্ৰত, বিষ্ণুপুৰাণ আদি নানা গ্ৰন্থত বিবৃত আছে। সেই বিষয় এই প্ৰবন্ধৰ আলোচ্য বিষয় নহয়।

এই প্ৰবন্ধত চমুকৈ দেখুৱা গ'ল যে সেই পঞ্চ পাণ্ডৱৰ সময়ত অঙ্ক, জ্যোতিষৰ চৰ্চ্চা চলিছিল।

———

প্ৰীতি উপহাৰ

—গল্প

—শ্ৰীযুত অচ্যুতানন্দ দাস বি-এ

কলিকতা পায়েই মই এটি 'মেচ'ত উঠিলোঁ। 'ল' পঢ়িবৰ মন আগৰ পৰাই নাছিল—নপঢ়িলোঁও। এম-এ তে ভালকৈ লাগিলোঁ। গধূলি বেছিকৈ ফুৰা অভ্যাসটো মোৰ আগৰ পৰাই আছিল,—কলিকতাত আৰু সি এখোপ চৰা হৈ হে উঠিল। নিতৌ আবেলি জলপান খাই উঠি তিনি চাৰি মাইল খোজ নাকাঢ়িলেই মোৰ তৃপ্তি নোহোৱা হ'ল। আৰু এটি মোৰ অইন অভ্যাস আছিল,—সদায় মই 'এড্‌ভেঞ্চাৰ' (adventure) কৰিবলৈ বিচাৰিছিলোঁ। ফুৰাৰ লগতে সদায় মই সেই সুযোগটিও বিচাৰি ফুৰিছিলোঁ।

আগৰ অভ্যাস মতে সিদিনা আবেলিও প্ৰায় ছয় মাইল খোজ কাঢ়িছোঁ,—এনেতে, কি কাৰণত কব নোৱাৰোঁ, মই অলপ ভাগৰি পৰিলোঁ। আগ বাঢ়িবলৈ আৰু মন নগ'ল,—অলপ থমকি ৰৈ ইফালে সিফালে চাবলৈ ধৰিলোঁ। দেখিলোঁ, ঠাই ডোখৰ বেছ নিৰ্জ্জন, মহানগৰীৰ জনকোলাহল ইয়াত নাই বুলিলেও হয়। ওচৰতে এডোখৰ মুকলি ঠাইত এটি প্ৰকাণ্ড হাতীদাঁতৰ কাৰখানা দেখিলৈ পালোঁ—তাত ডাঙৰ ডাঙৰ ইংৰাজী আখৰেৰে এইদৰে লিখা আছে :—

Ivory Works
Bantam &. Co.—

কাৰখানাৰ ঘৰীত দেখিলোঁ পাঁচটা বাজি পোন্ধৰ মিনিট গৈছে। এনেতে এখন 'টেক্সি' আহি মোৰ ওচৰত থামিল, আৰু ড্ৰাইভাৰ জন ওলাই আহি বঙালীতে মোক সুধিলে "আপুনি এজন অসমীয়া ৰায়চৌধুৰী নহয় নে?" মই হয় বুলি কোৱাত ড্ৰাইভাৰে মোৰ গাৰীত উঠিবলৈ কলে আৰু মছজিদ বাৰীৰ ভেকৰাজ বাবুৱে এতিয়াই মোক মাতিছে বুলি জনালে।

মনে মনে ভাবিলোঁ—নিশ্চয় ড্ৰাইভাৰে ভুল কৰিছে। তাৰ পিছতে ভাবিলোঁ—ভুল নকৰিবও পাৰে, কিজানি মোক ডকা দিবলৈকে এই দৰেই ফুচুলাব আহিছে। এই খিনিতে হঠাৎ বহুদিন পুহি ৰখা 'এড্‌ভেঞ্চাৰ'ৰ ইচ্ছাটো মোৰ বৰ প্ৰবল হৈ উঠিল। 'যুযুৎসু'ৰ কৌশল কেইটা আৰু সদায় লগত ৰখা—ধাৰাল ছুৰীখনকে সহায় কৰি মই মোটৰত উঠি পৰিলোঁ। মোটৰ লৰিবলৈ ধৰিলে। ইতি মধ্যে মই অনুমানেৰে সিদ্ধান্ত কৰিলোঁ, মছজিদ বাৰীৰ কোনোবা ভেকৰাজ বাবুৱে, অসমৰ কোনোবা ৰায়চৌধুৰীক (বোধকৰোঁ হাতীদাঁতৰ কাৰখানাৰে) মতাটোৱেই সঁচা হব পাৰে—কিন্তু মই ৰায়চৌধুৰী বুলি মূৰ্খ ড্ৰাইভাৰে বোধকৰোঁ ভুল কৈয়েই লৈ আহিছে। যি হ'ক মোৰ বৰ ভালেই লাগিল,—বহুদিনৰ মূৰত আজি মহানগৰীত মোৰ এড্‌ভেঞ্চাৰ-ক্ষুধাৰ উপযুক্ত খাদ্যকে বিচাৰি পোৱা গ'ল।...

কিছু সময় পিছত মোটৰ মছজিদ বাৰী ষ্ট্ৰীটৰ এটি প্ৰকাণ্ড ঘৰৰ সন্মুখত আহি থিয় হ'ল। ঘৰটি পুৰণি ধৰণৰ। মেৰামতিৰ অভাৱত মাজে মাজে অলপ ভাঙ্গিছেও। ড্ৰাইভাৰে মোক পোনেই উপৰ তলালৈ লৈ গৈ এটি পৰিপাটিকৈ সজোৱা ৰুমৰ ভিতৰত এখনি 'ইজি' চেয়াৰত বহিবলৈ কৈ বাহিৰলৈ গ'ল। অলপ সময় পিছতে এজনী ধুনীয়া ছোৱালী ভিতৰলৈ সোমাই আহিল আৰু মোক নমস্কাৰ কৰি এখনি চেয়াৰত বহি অলপ লাজলাজকৈ কবলৈ ধৰিলে "আপোনাক বাট চায়েই আছিলোঁ গণেশবাবু। পিতা এতিয়াই আহিব। সম্প্ৰতি মোকেই অতিথি সেৱাৰ ভাৰ দিছে। কিন্তু জমিদাৰৰ যোগ্য আতিথ্য আমি দিবলৈ অসমৰ্থ, সেইটো ক্ষমা কৰিব।"

মোক যে ড্ৰাইভাৰে ভুলকৈ কোনোবা গণেশবাবু

জমিদাৰ বুলি লৈ আহিছে সেইটো মই বেছকৈ বুজি পালোঁ। যি হ'ক উপস্থিত বুদ্ধিৰ সহায়ত মনে মনে মই অনেক কথা সজাব ধৰিলোঁ। জমিদাৰৰ নিচিনাই অতি গম্ভীৰ ভাৱে ছোৱালী জনীক সুধিলোঁ—"ভেকৰাজবাবু আৰু আপোনালোক সকলোৰে বৰ্ত্তমান মঙ্গল তো?" "হয়" বুলি ছোৱালী জনীয়ে মোক নানা বিধ বঙালী জলপানেৰে শুশ্ৰূষা কৰিবলৈ ধৰিলে। সন্দেহৰ ভয়ত খুব কম কথাকেই মই কৈছিলোঁ। কিন্তু সেই মুখৰা বঙালী ছোৱালী জনীৰ ওচৰত মই মোৰ সম্বন্ধে নানাবিধ কাল্পনিক উত্তৰ দিবলৈ বাধ্য হৈছিলোঁ। মোৰ জমীদাৰী কেনে চলিছে, এলাহাবাদৰ গঙ্গাৰ পাৰৰ তিনতলা ঘৰটোত এতিয়া কোন আছে, মোৰ পৰিবাৰে সিদিনা কিয় হঠাৎ কলিকতাৰ পৰা দাৰ্জ্জিলিঙলৈ গুচি গ'ল, মোৰ হাতীদাঁতৰ চেয়াৰখনত কিমান দাম পৰিছে, ইত্যাদি নজনা নশুনা নভবা অনেক প্ৰশ্ন তেওঁ মোৰ ওপৰত বৰষিবলৈ ধৰিলে। ময়ো প্ৰত্যেকটো প্ৰশ্নৰে একোটি কাল্পনিক অথচ সঙ্গত উত্তৰ দি যাবলৈ ধৰিলোঁ।

কিছু সময় পিছত এজন ক'লা গা থকা ছুটি চাপৰ মানুহ ভিতৰলৈ সোমাই আহিল। বয়স তিনি কুৰি মান হব। মূৰটি তপা, দাড়ি গোঁফ ৰূপালি, পেটটি প্ৰকাণ্ড ঘূৰণীয়া। এওঁকে মই ভেকৰাজবাবু সন্দেহ কৰি চেয়াৰৰ পৰা উঠি নমস্কাৰ জনালোঁ! এনেতে ছোৱালীজনীয়ে "বাবা—জমিদাৰ বাবুৱে আপোনাক বাট চায়েই অনেক সময় বহিল, মই এতিয়া আহিলোঁ' এই বুলি মোৰ সন্দেহ বিশ্বাসত পৰিণত কৰিলে।...তাৰ পিছত ভেকৰাজ বাবুৱে মোৰ প্ৰতি নমস্কাৰ জনাই এখন চেয়াৰত নিজৰ শৰীৰটো পেলাই লৈ আদৰকৈ কবলৈ ধৰিলে "গণেশবাবু, যদিও আপোনাৰ লগত মোৰ এবাৰ মাত্ৰ দেখা হৈছিল, তথাপি আপোনাৰ চিঠি পত্ৰৰ পৰা আপোনাৰ ওপৰত মোৰ দৃঢ় বিশ্বাস আৰু সৰ্ব্ব ভৰসা। আপুনিতো মোৰ চিঠিৰ পৰা সকলো কথা জানিব পাৰিছেই।" মই এতিয়া বুজিব পাৰিলোঁ, বুঢ়াইও ভুল কৰিছে। মনে মনে ভাবিলোঁ, কাল্পনিক উত্তৰ দি বেছ বুঢ়াকো ঠগাৰ পৰা যাব। মই বুঢ়াৰ কথাৰ উত্তৰ খুব ছুটি ছুটিকৈ দিছিলোঁ। "সেইটো নো কব লাগিছে নে", "নিশ্চয়", "বাৰু" ইত্যাদি উত্তৰেৰে মই বুঢ়াৰ কথা বেছি বলৱান কৰি তুলিছিলোঁ। ভেকৰাজ বাবুৱে কৈ যাবলৈ ধৰিলে "এটি তামচা বুজিছে নে গণেশবাবু, আপোনাক মই মোৰ পৰিয়ালৰ মাজত এজন অসমৰ জমিদাৰ বুলি পৰিচয় দিছোঁ। মোৰ ছোৱালী শুভাই এতিয়াই আপোনাক জমিদাৰ বিশ্বাস কৰিয়েই অতিথি সৎকাৰ কৰি গ'ল। চিঠিতো সেইটো মই উল্লেখ কৰিছিলোঁৱেই। আপুনি পিছে জমিদাৰী চালত চলিছিল তো?"

মই কলোঁ—"সেইটো আকৌ কব লাগিছে নে?" কিন্তু একো হলে বুজিব নোৱাৰিলোঁ কিয়নো এজন সাধাৰণ লোকক তেওঁ পৰিয়ালৰ মাজত জমিদাৰ বুলি পৰিচয় দিলে।

ভেকৰাজ বাবুৱে কলে "বাৰু, এতিয়া আপুনি চেয়াৰখন এবাৰ চাই লক।" এই বুলি তেওঁ ভিতৰলৈ গ'ল। মই এইবাৰ বিপদ ভাবিলোঁ। চেয়াৰ খনেই বা কি আৰু ময়েই কিয় তাক চাব লাগে ইত্যাদি ভাবি মই একো উৱাদিহ নৌপাওঁতেই ভেকৰাজ বাবুৱে এখন চক্‌চক কৰে বগা চেয়াৰ হাতত লৈ কমৰ ভিতৰলৈ আহিল। আৰু দীঘল বগা দাড়ি গোঁফৰ মাজত এমুখ হাঁহিৰে তেওঁ মাজে মাজে মোৰ ফালে আৰু মাজে মাজে চেয়াৰৰ ফালে চাই কবলৈ ধৰিলে—"চ'কচোন গণেশবাবু, এইখন নো হাতী দাঁতৰ চেয়াৰ যেন নেদেখিনে? বাস্তৱিকে আজি কালি যে এনুকুৱা "ক্যামিকেল প্ৰ'ডাক্ট"ও বাহিৰ কৰিব পাৰি, ই অতি আচৰিত কথা। ইয়াক কাটিলেও প্ৰায় হাতী দাঁত কটা যেনেই লাগে।"

মই জুমি জুমি চেয়াৰখন চাবলৈ ধৰিলোঁ আৰু বিজ্ঞ লোকৰ নিচিনা অলপো কিংকৰ্ত্তব্য বিমূঢ় নহৈ তপৰাই কৈ পেলালোঁ "বেছ তো, বাস্তৱিকে এইখন আপোনাৰ হাতী দাঁতৰ চেয়াৰ যেনেই দেখি। মই তো দেখা মাত্ৰেই ইয়াক 'খাঁটি' হাতী দাঁতৰ বুলিহে ভাবিছিলোঁ।"

ভেকৰাজবাবুৱে কলে "চ'ক বাৰু, আপোনালোকে 'আইভৰিৰ' ওপৰতেই থাকে অথচ প্ৰথম দেখোঁতেই ইয়াক হাতীদাঁত বুলিয়েই ভুল কৰিলে।"

"হাতীদাঁত লাৰি চাৰি থকা মানুহৰেই চকুত যেতিয়া ই ধূলি মাৰিব পাৰিছে, তেতিয়া মোৰ বিলাসী ভাবী জোৱাইৰ চকুত ধূলি মৰাত নো কি কথা? পিছত, গণেশবাবু, এতিয়া তো আমাৰ বন্দোৱস্ত মতে কাম হব লাগিব। যদিও এই চেয়াৰখন মোৰ নিজৰ বস্তু, তথাপি তাক নিজৰ বুলি মোৰ ভাবী, জোৱাইৰ ওচৰত বেচিব যোৱাটো বৰ লাজৰ কথা। সেই কাৰণে মই এটি বুধি সাজিছোঁ,—ঠিক মোৰ পৰিয়ালৰ মাজত যেনেকৈ মই আপোনাক এজন অসমীয়া জমিদাৰ আৰু মোৰ বন্ধু বুলি কৈছোঁ, তেনেকৈ মোৰ ভাবী জোৱাইৰ আগতো আপোনাক মই সেই বুলিয়েই কম। আৰু এই চেয়াৰ খনো—অতিৰিক্ত হোৱাত আপোনাৰেই বেচিব উলিওৱা 'খাঁটি' হাতীদাঁতৰ চেয়াৰ বুলি কম। অৱশ্যে মোৰ ভাবী জোৱায়ে এইখন দেখিলেই কিনিবলৈ আগ্ৰহ প্ৰকাশ কৰিব। তেতিয়া আপুনি ইয়াৰ দাম দুহেজাৰ বুলি কব। তাৰ পিছত যে তেওঁ চেয়াৰখন কিনিব তাত অকণো সন্দেহ নাই।"

মই পৰীক্ষাৰ সময়ত প্ৰফেচাৰৰ লেক্‌চাৰ শুনাৰ দৰে অতি মনোযোগেৰে ভেকৰাজবাবুৰ কথা বোৰ শুনি লৈ এই খিনিতে এবাৰ কথা খাপ খোৱাকৈ কৈ পেলালোঁ "তেনেহলে আপোনাৰ ভাবী জোৱায়েকে হাতীদাঁতৰ বস্তু বৰ ভাল পায়?"

ভেকৰাজবাবুৱে বৰ উৎসাহেৰে আকৌ কৈ যাবলৈ ধৰিলে—"নিশ্চয়! হাতীদাঁতৰ বস্তুৰ প্ৰতি তেওঁৰ অদ্ভুত আগ্ৰহ। আপোনালোকৰ বোটাম কোম্পানীৰ হাতীদাঁতৰ বস্তু তেওঁ নকল আৰু মিহলি বুলি নিকিনে, কিন্তু অসমৰ হাতীদাঁতৰ বস্তু তেওঁ অতিৰিক্ত দাম দিও কিনি আনে। আমাৰ কাৰ্য্যসিদ্ধি হব—তাত অকণো সন্দেহ নাই। লাভৰ আধা ভাগ তো আপোনাৰ আছেই। কেৱল মোৰ ভাবী জোৱাইৰ আগত আপুনি জমিদাৰী চলনত চলিব। আজি আঠ বজাৰ সময়ত তেওঁ আহিবৰ কথা আছেই। আপুনি এই খিনি সময় অপেক্ষা কৰিব লাগিবই।" ভেকৰাজবাবুৱে এইখিনিতে ধপাত হুপিবলৈ ধৰিলে। এতিয়াহে মই তেওঁৰ আচল অভিপ্ৰায় বুজি পালোঁ। কিন্তু বেচাৰিয়ে আইভৰি ওৱৰ্কচৰ কোনোবা গণেশচন্দ্ৰ ৰায় চৌধুৰীৰ লগত মতলব কৰিবলৈ এৰি যে ভুলক্ৰমে এই মই শ্ৰীযুক্ত হৰচন্দ্ৰ ৰায় চৌধুৰীৰ লগত হে মতলব কৰিব ধৰিছে, ইয়াৰ বাবে মোৰ ভেকৰাজ বাবুৰ প্ৰতি অলপ পুতৌ লাগিল। ইফালে তেওঁৰ ভাবী জোৱায়েকক ঠগিবলৈ উলিওৱা বুধিটো দেখি তেওঁৰ প্ৰতি মোৰ ঘৃণাও হ'ল। পিছত মই সুধিলোঁ "আপোনাৰ ভাবী জোৱায়েকৰ নাম মই জানিব পাৰোঁ নে?"

তেওঁ কলে "নিশ্চয়, তেওঁৰ নাম সুধাংশু সেন এম্-এ, বি-এল্,—ঘৰ ১০০নং বাগবাজাৰ ষ্ট্ৰীটত।"

এনেতে হঠাৎ দুৱাৰত খট্ খট্ শব্দ শুনা গ'ল। আমি দুয়ো আধা মিনিট মান নীৰৱ হৈ ৰলোঁ। তাৰ পিছত দুৱাৰত ডাঙৰ ডাঙৰ খুন্দা পৰিবলৈ ধৰিলে। ভেকৰাজবাবুৱে দুৱাৰ খুলি দিলত এজন কোনোবা মানুহ ভিতৰলৈ সোমাই আহিল আৰু কলে—"ভেকৰাজবাবু কি কৰিম, মোৰ আজি বিশেষ কাম থকা গতিকে আধা ঘণ্টা পলম হৈ গ'ল। পিছত কি বিষয় লৈ মাতিছিল সেইটো কেতিয়া আলোচনা কৰিব?"

ভেকৰাজবাবুৱে এবাৰ মোৰ ফালে আৰু এবাৰ তেওঁৰ ফালে চাবলৈ ধৰিলে আৰু শেহত গৰ্জ্জি উঠিল—"হু গণেশবাবু, এইজন ক'ৰ মানুহ আহি মোৰ লগত এইবোৰ মেল কৰিলে? সকলো তেনেই ভুল হৈ গ'ল।" তাৰ পিছত মোৰ ফালে চাই কলে, "আপুনি এতিয়া যাব পাৰে।"

মই কলোঁ—"ই কি কথা ভেকৰাজবাবু, বন্দোৱস্ত মতে কাম নো হোৱাকৈ মই কেলেই এতিয়া গুচি যাম?"

তেওঁ খংকৈ কৈ উঠিল—"য'ক—আপুনি এতিয়াই ইয়াৰ পৰা গুচি য'ক। এই মোৰ ঘৰ। আপুনি অনধিকাৰ প্ৰবেশ কৰি নাথাকিব।"

"সি কথা হব নোৱাৰে ভেকৰাজবাবু, লাভৰ আধা অংশ নিনিয়াকৈ মই ইয়াৰ পৰা নলৰোৱেই।"

"বলপ্ৰয়োগ নকৰিলে তেনেহলে সঁচাকৈ আপুনি ইয়াৰ পৰা নাযায় নেকি?" এই বুলি ভেকৰাজবাবুৱে চিঞৰি মাতিবলৈ ধৰিলে "অ' শ্ৰীপতি! শ্ৰীপতি! অ শ্ৰীপতি!..."

মই অলপ গম্ভীৰ হৈ কৰলৈ কবলৈ ধৰিলোঁ। "ভেকৰাজ বাবু, বাস্তৱিকে আপুনি যদি মোক বলপ্ৰয়োগ কৰি খেদি দিব খোজে, তেনেহলে এতিয়াই মই আপোনাৰ ভাবী জোৱাই, ১০০নং বাগবাজাৰ ষ্ট্ৰীটৰ সুধাংশুবাবুক আটাই খিনি কথা গৈ কৈ দিম।"

হঠাৎ ভেকৰাজবাবু চমকি উঠিল। কিছু সময় ভাবি চিন্তি—বোধ কৰোঁ ভাবী জোৱায়েকৰ নাম ধাম মোৰ আগত কৈ পেলোৱা গতিকেই নিজকে দিঙ্‌মূৰ্খ বুলি—ধীৰে ধীৰে কবলৈ ধৰিলে। "বাৰু আপুনি তেনেহলে জমিদাৰেই হৈ ৰ'ল। গণেশবাবু, এওঁকেই মই মোৰ পৰিয়ালৰ মাজত জমিদাৰ বুলি পৰিচয় দিছোঁ। পিছত আপোনাক এওঁৰেই বন্ধু বুলি পৰিচয় দিম। আৰু লাভৰ অংশ এতিয়া তিনি ভাগেই হব বুজিছে গণেশবাবু!"

এতিয়া গণেশবাবু কোন মই ভালকৈ চিনি পালোঁ। গণেশবাবুৱে ভেকৰাজবাবুৰ কথাত "বাৰু নেয়ে হ'ক" বুলি মত দিলে।

কিছু সময়ৰ পিছত আগৰ কথা মতে আঠ বজাত সুধাংশুবাবু আহি ভেকৰাজবাবুৰ ঘৰ পালে। অনেক প্ৰীতি আলাপন আৰু জলপানৰ পিছত ভেকৰাজবাবুৱে তেওঁৰ ভাবী জোৱায়েকৰ লগত আমাক আগৰ বন্দোবস্ত মতে পৰিচিত কৰি দিলে।

ইফালে নকল হাতীদাঁতৰ চেয়াৰখন তো আগৰ পৰা তাত আছিলেই, আৰু সুধাংশু বাবুৱে কেবাবাৰো সতৃষ্ণ নয়নে তাৰ ফালে চোৱাত সকলোৱে মনে মনে বৰ বং পাই আছিল। অৱশেষত ভেকৰাজ বাবুৱে নানা কথা প্ৰসঙ্গত এবাৰ চেয়াৰ খনৰ ফালে চকু ঘুৰাই কবলৈ ধৰিলে "জমীদাৰ বাবুৰ যে এইখন বেচিব উলিওৱা হাতীদাঁতৰ চেয়াৰ আছে কি চমৎকাৰ!" এই কথাষাৰে যেন সুধাংশু বাবুক বক্ষা কৰিলে,— তেওঁ যেন মনৰ ভিতৰত বদ্ধ হৈ থকা কথাবোৰ কবলৈ এতিয়াহে এখন ছন্নাৰ বিচাৰি পালে। চেয়াৰখন মই বেচিম নে —যদি বেচোঁ তাৰ বাস্তৱিকে কিমান দাম আৰু তাক কিনোতেই বা কিমান দাম পবিছিল—ইত্যাদি অনেক প্ৰশ্ন তেওঁ মোৰ ওপৰত ববষিবলৈ ধৰিলে।

মই জমীদাৰৰ নিচিনা গম্ভীৰ হৈ কলোঁ "সুধাংশু বাবু, এই চেয়াৰখন কিনোতে মোৰ বহুদামেই পৰিছিল। কিন্তু ইয়াক বেচিবলৈ সম্প্ৰতি মোহ লাগিছে।" এই কথা শুনি ভেকৰাজ বাবুৰ কপাল আৰু মুখত নানা ভঙ্গি কৰিবলৈ ধৰিলে, এবাৰ তেওঁ বব খং আৰু বিবক্তি দৃষ্টিবে মোৰ ফাললৈকো চাইছিল। তাৰ পিছত মই কলোঁ "সুধাংশুবাবু, আপোনালোকৰ শুভবিবাহত মই মোৰ এই হাতীদাঁতৰ চেয়াৰখন প্ৰীতিউপহাৰ দিলোঁ।"

* * * *

সুধাংশুবাবুৰ বিষাত মই উপস্থিত আছিলোঁ। ভেকৰাজবাবুৰ, পিছত মই এজন বন্ধু হৈয়েই পৰিলোঁ কাৰণ ভেকৰাজবাবুৰ সদায় ভয় আছিল কিজানি মই তেওঁৰ জোৱায়েকৰ আগতে শহুৰেকৰ চেয়াৰ বেচা বড়ফয়ৰ কথাটো কৈয়েই পেলাওঁ!

শুভাই ইফালে মোক সদাই জমিদাৰ বুলিয়েই বিষাৰ কৰি ৰ'ল। তেওঁ বেছ মোৰ ওচবত দিনে দিনে নন 'আবদাৰ' কৰিবলৈ ধৰিলে। এদিন মোক অকলে পাই চাহ টৈ আহি শুভাই সুধিলে "জমীদাৰবাবু, আপোনাৰ এলাহাবাদ গঙ্গাৰ পাৰৰ ঘৰটো চাবলৈ মোৰ বৰ ইচ্ছা আছে।"...মইকলোঁ "বেছ কথা, সেইটো অতি সোনকালে মই বন্দোবস্ত কৰি দিম।" পিছদিনা মোৰ এলাহাবাদ ঘৰটো পুৱা বুলি অহা টেলিগ্ৰামখন শুভাক দি দেখুৱালোঁ।—

"G. C. Ray Choudhury,
165, College street.
The building on the Ganges burnt to ashes'
Romesh *

* এটি ইংৰাজী গল্পৰ ছাঁ লৈ লিখা—লিঃ

বিশ্ব প্ৰবাহ

আমেৰিকাৰ 'ডেমোক্ৰেট' পাৰ্টিৰ সভাপতি—

আমেৰিকাৰ সভাপতিৰ প্ৰায় সময় শেষ হৈ আহিল। মিঃ হুভাৰ আকৌ সভাপতি হব পাবেনে নোৱাবে সেইটো



ফ্ৰেঙ্কলিন ডি ৰুজ' ভেল্ট

সঠিক কোৱা টান। কিন্তু এটা লক্ষ্য কৰিব লগীয়া কথা যে আজি প্ৰায় ১৬ বছৰৰ পিছত ডেমোক্ৰেট পাৰ্টিৰ নেতা ফ্ৰেঙ্কলিন, ডি, ৰুজভেল্টৰ এইবাৰ সভাপতিৰ বাব পাবৰ যথেষ্ট আশা আছে। তেওঁ আজি কত বছৰ অশেষ চেষ্টা কৰিও বিফল মনোৰথ হৈছে। এইবাৰ তেওঁৰ চেষ্টা ফলৱতী হব বুলি আশা কৰিব পাৰি।

অটোৱা কনফাৰেন্সত ভাৰতীয় প্ৰতিনিধি ঃ—

অটোৱা কনফাৰেন্সলৈ মোৱা প্ৰতিনিধিবোৰৰ প্ৰায় আটাইবোৰেই গৱৰ্ণমেণ্টৰ দ্বাৰা নিৰ্ব্বাচিত। গতিকে ভাৰতৰ প্ৰকৃত স্বাৰ্থ বক্ষাৰ কাৰণে বা ভাৰতৰ দেহা বেপাৰৰ ভবিষ্যত গঢ়ি তুলিবৰ কাৰণে তেওঁলোকৰ



অটোৱা কনফাৰেন্সৰ ভাৰতীয় প্ৰতিনিধি সকল

চেষ্টা কিমান দূৰ আগবাঢ়ে—তালৈ নিৰপেক্ষ ভাবে চাই থকাৰ বাহিৰে উপায় নাই। অবশ্যে এইখিনি আশা কৰা যায় যে ভাৰতৰ জনসাধাৰণৰ অটোৱা কনফাৰেন্সৰ গতিবিধি সম্বন্ধে যি মতামত প্ৰকাশ হব ধৰিছে



চেটো লৰিয়াৰ—অটোৱা কনফাৰেন্সৰ প্ৰতিনিধি সকলৰ থকা ঘৰ। পৃথিবীৰ ভিতৰত এটা ধুনীয়া হোটেল।

তালৈ তেনেই আওকাণ কৰি থাকি কাম নকৰিব। কিন্তু এইটো ঠিক যে তেওঁলোকৰ যেই সেই কথাত ভাৰতে হৈ নেদিব।

কেম্ব্ৰিজ য়ুনিয়নত ভাৰতীয় সভাপতি ঃ—



মিঃ এচ্, এচ্, ধৱন

ভাৰতৰ গৌৰৱৰ কথা যে মিঃ এচ্ এচ ধৱনে প্ৰথমে কেম্ব্ৰিজ ইউনিয়নৰ সভাপতি নিৰ্ব্বাচিত হৈছে। এই সম্মান ভাৰতৰ কোনেও আৰু ইয়াৰ আগেয়ে পোৱা নাই।

পাঞ্জাবত ভাৰতীয় গভৰ্ণৰ ঃ—



কেপ্টেইন চিকেণ্ডৰ হায়েত খাঁ

ভাৰতৰ মানুহবো শাসন কৰা বা দেশৰ উচ্চপদ পাবৰ উপযুক্ততা যথেষ্ট আছে। তাৰ প্ৰমাণ বিচাৰি বেছি দূৰলৈ যাব নালাগে। ভাৰতৰ বৰলাটৰ পাছত দায়িত্বপূৰ্ণ উচ্চপদ প্ৰদেশৰ শাসন কৰ্ত্তাৰ ভাৰকে বুলিব লাগে। তাৰ কাৰণে যথেষ্ট ক্ষমতা আৰু গুণৰ আৱশ্যক আৰু সেই গুণ বা ক্ষমতা ভাৰতবাসীৰ মাজতো আছে আৰু ভাৰতবাসীয়ো নিজক সুচাৰু ৰূপে শাসন কৰিব পাৰে। ভাৰতৰ পোন প্ৰথম গৱৰ্ণৰ লৰ্ড সিংহকে আদি কৰি আজিলৈকে চাৰিজন গৱৰ্ণৰ হ'ল। তেওঁলোকে শাসন কাৰ্য্যত দক্ষতা দেখুৱাই ভাৰতবাসীৰ শক্তি দেখুৱাই গৈছে। আৰু ইয়াৰ দ্বাৰা 'ভাৰত এতিয়াও শাসন ভাৰৰ উপযুক্ত হোৱা নাই—লাহে লাহে হব'—ইত্যাদি কথাৰ কোনো অৰ্থ নাই বুলি প্ৰমাণ কৰা নহয় নে?

কেপ্টেইন হায়াত খাঁয়ো বৰ্ত্তমান পাঞ্জাবৰ গৱৰ্ণৰ পদত নিযুক্ত হৈছে। সি অৱশ্যে সুখৰ কথা আৰু ভাৰতে একপক্ষে গৌৰৱ কৰিব পাৰে।

ইম্পিৰিয়েল কনফাৰেন্সত ভাৰতীয় সভাপতি—

বৰ্ত্তমান আটাৱা ইক'নমিক কনফাৰেন্সৰ সভাপতি হৈছে স্যাৰ এ, চি, চ্যাটাৰ্জ্জী। ই ভাৰতৰ গৌৰৱৰ কথা। তেখেতে ভাৰত আৰু বিশ্ব জাতিসঙ্ঘৰ ভিতৰত ঘনিষ্ঠতা স্থাপনৰ কাৰণে বিশেষ চেষ্টা কৰি আহিছে। তেখেতৰ চেষ্টাতে বোম্বেত জাতি সঙ্ঘৰ এটি কাৰ্য্যালয় স্থাপন হৈছে।



স্যাৰ এ, চি, চ্যাটাৰ্জ্জী

ভাৰতীয় জনসাধাৰণ এতিয়ালৈকে বিশ্বজাতিসংঘৰ সংশ্ৰৱলৈ অহা নাই। আৰু জাতিসংঘই কি কি কাম কৰিবলৈ হাতত লৈছে তাক তেওঁলোকে সমূলি নাজানে বুলি কলেও হয়। ভাৰতীয় ৰাইজক জাতিসংঘৰ ভূ-বতৰা জনাবলৈ, তাৰ সামাজিক, অৰ্থনৈতিক আৰু মানৱজাতিৰ হিতৰ অৰ্থে কৰা কামবোৰৰ কথা জনা আৰু তাৰে

ফলভাগী কৰিবলৈ বোম্বাইত বিশ্বজাতিসংঘৰ শাখা এটা স্থাপনা কৰিছে। ইয়াৰ প্ৰতিষ্ঠাপক মিষ্টৰ এ, চি, চেটাৰ্জী। তেখেতৰ বিশ্বাস যে এই শাখাৰ জৰীয়তে ভাৰতৰ পৃথিৱীৰ সকলো জাতিৰ কথা জনাত বেছি সুচল হব আৰু ভাৰত পৃথিৱীৰ আন আন জাতিবোৰৰ ওচৰ সম্বন্ধলৈ আহিব আৰু সেইবোৰৰ ভাব-গতিক আৰু কাৰ্যপদ্ধতি চাই লব পাৰিব।

ভাৰতীয় কৃতি খেলুৱৈ ঃ—

কে, চি, ধুলিপ ছিং জি ভাৰতত এজন সকলোৱে জনাশুনা ক্ৰিকেট খেলুৱৈ। আন আন বছৰতকৈ



কে, চি ডুলিপ ছিং জী

তেখেতৰ খেলা আৰু ভালহৈছে। তেওঁক অষ্ট্ৰেলিয়ালৈ নিমন্ত্ৰণ কৰিছে।

'পশ্চিম সীমান্তত পূৰ্ণ শান্তি'

'All quiet on the Western front' বা 'পশ্চিম সীমান্তত পূৰ্ণ শান্তি' বোলা চলচ্চিত্ৰখন এখন যুগান্তকাৰী চিত্ৰ। এৰিক্ মাৰিয়া ৰিমাৰ্কে লেখা এই কিতাপখন যেতিয়া চলচ্চিত্ৰ কৰিবৰ কথা হয় তেতিয়া এটা দুটাকৈ সাতোটা কোম্পানীয়ে কিতাপখন চলচ্চিত্ৰত পৰিণত কৰিবলৈ চেষ্টা কৰে। সাতোটা কোম্পানীৰ ভিতৰত মাথোঁ এটা কোম্পানীয়ে কিতাপখন চলচ্চিত্ৰত পৰিণত কৰাত সাফল্যলাভ কৰে। কোম্পানীটোৰ নাম 'য়ুনিভাৰ্ছেল পিকচাৰ্স কৰপোৰেছন' আৰু ইয়াৰ গুৰিত আছিল—বিখ্যাত প্ৰযোজক কাৰ্ল লেম্‌লে। এনে যুগান্তকাৰী চিত্ৰ এখন তৈয়াৰ কৰি যুদ্ধৰ বিপক্ষে আৰু পৃথিৱীত শান্তিৰ সপক্ষে মানুহৰ মন ঢাল খুউৱা বাবে, কাৰ্ল লেম্‌লেক নোবেল পুৰস্কাৰ দিয়া উচিত—এনে গুজবো বৰকৈ প্ৰচাৰিত হৈছে। ছবিখন যে কেনে হৈছে, তাক নেচালে, লেখি বুজাব নোৱাৰি। যুদ্ধৰ প্ৰাণ শিঁয়ৰি উঠা যিবোৰ বাস্তৱ চিত্ৰ ইয়াত দেখিবলৈ পোৱা যায়, সেইবোৰ যে কেনেকৈ 'ডাইৰেক্ট' কৰিছিল আৰু তুলিছিল তাক ভাবিলে আচৰিত হব লাগে। এই কাৰণেই চিত্ৰখনৰ 'ডাইৰেক্টৰ' নিউয়িছ্ মাইলাষ্টানৰ অদ্ভুত কাৰ্য্যকলাপ দেখি আমি বিস্ময়ান্বিত হওঁ। চিত্ৰখনত প্ৰধান ভূমিকা 'পল'ৰ ভাও দিছিল লিউয়িছ আয়াৰ্সে আৰু 'ক্যাটাজিনস্কি'ৰ ভূমিকা লৈছিল লুই ও লহেইমে। অকল মাথোন এইখন চিত্ৰইহে লণ্ডনৰ 'ফেকাল্‌টি অব আৰ্টছৰ' পৰা সোণৰ পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। 'একাডেমী অব মোছন পিকচাছ আৰ্টছ্ এণ্ড ছায়েন্সেজ'ৰ মতে ১৯৩০ চনৰ এইখানেই সৰ্ব্বোৎকৃষ্ট ছবি। 'লীগ অং নেশনসৰ মতে পৃথিৱীত শান্তি প্ৰতিষ্ঠাৰ হকে এইখন চিত্ৰ প্ৰকৃষ্ট নিদৰ্শন।

কোনো উদ্যোগী অসমীয়াই এই কিতাপখন অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰিবলৈ চেষ্টা কৰিলে বৰ ভাল হয়।

জাৰ্ম্মাণীৰ নাজিদলৰ নেতা ঃ—



হাৰ হিটলাৰ

জাৰ্ম্মেণীৰ নাজিদলৰ নেতা হাৰ হিটলাৰ। মিউনিক নগৰীৰত ডেমনষ্ট্ৰেশ্যন কৰোতে চালাম গ্ৰহণ কৰিছে।

তেওঁৰ জাৰ্ম্মাণীত অদ্ভুত প্ৰতিপত্তি আৰু বৰ্ত্তমান জাৰ্ম্মাণী প্ৰায় এখেতৰ মতত চালিত বুলি কব পাৰি। প্ৰুচিয়াৰ কমিচনাৰ ভন পেপেনে ডিক্টেটৰৰ ক্ষমতা পাইছে পিছত হাৰ হিটলাৰ থকাৰ ওনেই। এনে বোৰ কাৰণত জাৰ্ম্মাণীত এতিয়া প্ৰায় অশান্তিৰ সৃষ্টি হৈছে। নানা বকম বিপ্লবী দলৰ আবিৰ্ভাৰ হৈছে।

পৃথিবীৰ বিখ্যাত পলো খেলুৰৈ :—

কেপ্টেই বোৰ এজন বিখ্যাত আন্তৰ্জাতিক পলো খেলুৰৈ তেওঁ বৰ্ত্তমান আমেৰিকাত পলো খেল



কেপ্টেইন বোৰ

শিকাৰৰ কাৰণে বছৰি থবছ বাদে ৫,০০০ পাউণ্ডত নিযুক্ত হৈছে।

পৃথিবীৰ যু-যুৎসু প্ৰতিযোগীতা



চাৰ্কে আৰু ম্বেলিং
এওঁলোকে অতি সুন্দৰ যুঁজ দেখুৱাইছে।

অদ্ভুত সন্তান—

গোৱালপাড়া জিলাৰ লক্ষীপুৰত এজন বাজৰংশী ঘৰত এই সন্তানটো জন্মিছিল। সন্তানটোৰ চকু নাক আদি নাই। কপালত এডোখৰ অগ্ৰমাংস আৰু তাৰ তলতে বঙা পবি থকা এডোখৰ ঠাই আছে। জন্মৰ অলপ কেখন্টা মান পিছত এই অদ্ভুত সন্তানৰ মৃত্যু হয়।

লক্ষীপুৰৰ শিল্পী শ্ৰীযুত অন্নদা প্ৰসাদ চক্ৰবৰ্ত্তী ঘোৱা সংখ্যা আবাহনত যাৰ "গাঁৱলীয়া জীৱন" বুলি গোৱাল-পাড়াৰ বাভা গাঁৱৰ ছবি এখন প্ৰকাশ কৰা



অদ্ভুত সন্তান

হৈছিল তেওঁ এই মৃত সন্তানটোৰো ছবি এখনেই আঁকিছিল।

পার্থ-সাৰথি

(আগৰ সংখ্যাৰ পিছৰ পৰা)

শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱা, বি-এ

৩য় দৃশ্য

(সমস্ত-পঞ্চক)

(দুৰ্য্যোধন আৰু ভীমৰ যুদ্ধ। বলৰাম শ্ৰীকৃষ্ণ, পাণ্ডৱ আৰু আন আন বজা আৰু নৈন্য সকল এফালীয়া হৈ আছে। এবাৰ ভীম আৰু এবাৰ দুৰ্য্যোধন মূৰ্চ্ছিত হয়)—

শ্ৰীকৃষ্ণ—চুকোৱৰ সাৱধান! (চকুৰে ইঙ্গিত কবি নিজৰ কবঙনত চাপৰ মাৰে। ভীম যুদ্ধ কবি থাকোতেই কেবাহিকৈ চাই। এইদৰে দুৰ্য্যোধনে এবাৰ ভীমৰ মৃত গদা মাৰিবলৈ জাপ মাৰোতে ভীমৰ গদাই দুৰ্য্যোধনৰ কবঙনত আঘাত কবে। দুৰ্য্যোধনে উস বুলি কবঙনত হাত দি ধলি পৰে)।

ভীম—অহঙ্কাৰৰ পবিনাম দুৰ্য্যোধন। দ্ৰৌপদীৰ অপমানৰ প্ৰতিফল।

(দুৰ্য্যোধনৰ মৃত্যু গদাঘাত)।

যুধিষ্ঠিৰ—কি কবিলি কুলাঙ্গাৰ। ইমান অপমান কৰা উচিত নহয়। গোটেই পৃথিবীৰ পতি দুৰ্য্যোধন। সেই দুৰ্য্যোধনক তই ভবিবে আঘাত কব! চিঃ ভীম তই বব দুৰ্জ্জন। হায়! মহামানী দুৰ্য্যোধন। যাৰ প্ৰতাপত বয়বতী কম্পমান সেই দুৰ্য্যোধনৰ মৃত্যু পদাঘাত। কি কবিলি দুবন্ত ভীম কি কবিলি! (বিলাপ কবি)। ভাই দুৰ্য্যোধন, নিয়েও মবিলা বন্ধু বান্দৱকো মাবিলা। সসাগৰা পৃথিবীৰ অধীশ্বৰ তোমাৰ এনে দশা। শকুনি তোমাৰ আগোন হ'ল। কালে তোমাৰ চুলিত ধবি টানিলে। হায়! হায়! দুৰ্য্যোধন তোমাৰ অবিহনে পৃথিবী শূন্য হল। তোমাক হেৰুৱাই পৃথিবীৰ কঁপনি উঠিছে। ধৃতবাষ্ট্ৰ আৰু গান্ধাৰীক কি বুলি প্ৰবোধ দিম।

শ্ৰীকৃষ্ণ—দাদা দুৰ্য্যোধনৰ লগত বিলাপ কবিবলৈ

তোমাৰ কি হৈছে। অনাচাৰী দুৰ্য্যোধনৰ অন্তত পৃথিবীয়ে সকাহ পাইছে। সেই দেখি কঁপনি উঠিছে। আজি শোক কবিবব দিন নহয় আনন্দ কবিবব দিন।

দুৰ্য্যোধন—(শ্ৰীকৃষ্ণৰ কথাত মাটিত হাতেৰে ভৰ দি উঠিব খুজি) কপটীয়া অনাচাৰী কৃষ্ণ। নিজে অনাচাৰী হৈ লোকৰ অন্যায় কবিবলৈ লাজ পোৱা নাইনে? তই পাণ্ডৱৰ পক্ষ লৈ কি বুলি মোৰ অনিষ্ট কবিলি। ভীষ্ম, দ্ৰোন, কৰ্ণ আদিক অন্যায় যুদ্ধত বধ কবিবলৈ কোনে বুধি দিছিল? তই নহয়নে? মোক মৰাৰ পৰা তোৰ কি লাভ হল?

শ্ৰীকৃষ্ণ—মোৰ লাভ হোৱা নাই। পৃথিবীৰ লাভ হ'ল। তুমি দুৰ্য্যোধন; তোৰ অধৰ্ম্মৰৰ কথা কৈ অন্ত পেলাব নোৱাৰি। দ্ৰোপদীক যি সভাৰ মাজত বিবস্ত্ৰ কবিব পাৰে, যি নিজৰ ভাইক পুৰি মাবিব পাৰে নি অভিমন্যুৰ নিচিনা শিশুক পদুম দবে বেৰি মাবিব পাৰে তাৰ নিচিনা কুলাঙ্গাৰ, কণ্টকক পৃথিবীৰ পৰা চলে বলে কৌশলে উথালি পোলোৱাই ধাৰ্ম্মিকৰ কৰ্ত্তব্য। মই নিজে পাণ্ডৱৰ নিমিত্তে পাঁচ খন গাওঁ খুজিবলৈ গলোঁ। তই নিতান্ত মূৰ্খৰ দবে মোক বান্ধি থব খুজিলি, এতিয়া মৃত্যুৰ ছৱাৰ হাতেৰে ঠেলি ধৰি কাৰণ বিচাৰিছ? নিলাজ, কুলাঙ্গাৰ, অনাচাৰী।

দুৰ্য্যোধন—(আকৌ ধীৰ হৈ) হ'ল হ'ল আৰু নালাগে যদুপতি। তোমাৰ বীৰত্ব কোনবিধৰ মই তাক চিনি নাপাওঁ। বেদশাস্ত্ৰ পঢ়ি ধৰ্ম্ম অধৰ্ম্ম সকলো বুজি পাওঁ। তোমাৰ নিচিনাকৈ কাম কৰা কাকো নেদেখিলোঁ। মোৰ যথেষ্ট হ'ল। দান, ধৰ্ম্ম, যুদ্ধ, জয় সসাগৰা পৃথিবী শাসন, অনেক কবিলোঁ। এতিয়া ক্ষত্ৰিয়ৰ দবে যুদ্ধ কবি পৃথিবীৰ

বন্ধুস্বরূপ বীৰ সকলেৰে সৈতে মই যুগলিল যাওঁ। যুধিষ্ঠিৰে বিধবাৰ ওপৰত ৰাজত্ব কৰক।

(সকলোৱে তলমুৰ কৰে)

শ্ৰীকৃষ্ণ—ক্ষমা কৰিব মহাৰাজ। সকলো সঁচা কথা। কিন্তু আপুনি অন্যায় আৰু হিংসাৰ বশবৰ্ত্তী হৈ সকলো নষ্ট কৰিলে।

দুৰ্য্যোধন—সেইটো মোৰ দোষ নহয় যদুপতি। ধৰ্ম্মাধৰ্ম্ম সকলো জানোঁ। তথাপি অন্যায় কৰিছোঁ কিয়? ই মাৰ্গো তোমাৰ ইচ্ছা। হে ভগবান! যিহকে কৰাইছা তাকে কৰিছোঁ।

শ্ৰীকৃষ্ণ—(স্বগতঃ) সদায় দোষ ওপৰ ভাগী মই। পৃথিবীয়ে ওপৰ ভাগী পাতিব মুখুজিলেও দোষৰ ভাগী বেগেতে পাতে, উপায় নাই।

(অত বেলি বলবামে ৰঙ্গে বেজাৰে ইফাল সিফাল কৈ ওপা গঁপা কৰি আছিল। সকলো নিমাত দেখি আগবাঢ়ি আছে।)

বলৰাম—অসহ, অসহ, ঘোৰ অন্যায় (দাঁত কামুৰি) অন্যায় সমৰত দুৰ্য্যোধনক আহত কৰা হৈছে। মই অত বেলি চাই আছিলোঁ কৃষ্ণ। কোন যুদ্ধনীতিৰ মতে প্ৰতিদ্বন্দ্বীৰ নিম্ন ভাগত ভীমে গদা প্ৰহাৰ কৰে। মোৰ আগত ইমান অন্যায় যুদ্ধ। অসহ; দুৰাচাৰ ভীমক ইয়াৰ প্ৰতিশোধ মই দিম।

(সকলো ভয়ত কোঁচ খায়)

শ্ৰীকৃষ্ণ—দাদা খং নকৰিব। পাণ্ডৱ মোৰ বন্ধু নহয়। পাৰোতে পাণ্ডৱৰ ফলীয়া হৈ দুৰ্য্যোধনক অনিষ্ট কৰা নাই। দুৰ্য্যোধনৰ অন্যায়ৰ কথা কি কম। দ্ৰৌপদীক সভাৰ মাজত বস্ত্ৰ হৰণ কৰোতে ভীমে দুৰ্য্যোধনৰ উৰু ভঙ্গ কৰিবলৈ প্ৰতিজ্ঞা কৰিছিল। মৈত্ৰেয় ঋষিয়েও দুৰ্য্যোধনক উৰুভঙ্গৰ শাপ দি থৈছে। ঋষিৰ শাপ অন্যথা হব নোৱাৰে। ভীমে প্ৰতিজ্ঞা কৰা সত্ত্বেও কৰ্ণী ৰুলি অন্যায় কৰা নাই। হঠাৎ উৰুত গদা লাগিহে কুৰুপতিয়ে আঘাত পাইছে।

বলৰাম—সেই হ'ক দুৰ্য্যোধন যুদ্ধবিশাৰদ শ্ৰেষ্ঠ। ভীমে কাপুৰুষৰ দৰে অন্যায় যুদ্ধ কৰি দুৰ্য্যোধনৰ উৰু ভঙ্গ কৰিছে। (খঙেৰে প্ৰস্থান)

৪র্থ দৃশ্য

আলিবাট, ভৈৰৱীৰ গীত।

গীত

আকাশ তোমাৰ বুকুত বাজে
কাৰনো মধুৰ সুৰ;
ধ্বনিত নাচে সৱগ মৰত
নাচে সুদূৰ দূৰ।

জোনৰ নাচত মধুৰ লহৰ,
বেলিৰ মুখত সোণৰ পোহৰ,
তৰাই বেঢ়ি তোলে বগৰ
নীল আকাশ পুৰ।

বায়ুৰ ছাটিত শৰীৰ জুৰাই
সাগৰ বুকুত লহৰ খেলাই
হিয়াৰ লগত হিয়া জুৰাই
জগত কৰে জুৰ।

সুখৰ লগত সুখৰ মিলন,
দুখৰ মুখত দুখৰ দোলন
আকুল মনত অকণ খেলন
কণত মাৰি বুৰ।

১ম ভৈঃ—যুদ্ধ শেষ হ'ল আমি এতিয়া দ্বাৰকাপুৰী যাওঁগৈ।

২য়া ভৈঃ—আমি অকল যুদ্ধ চাবলৈ অহা নাই। আমি আহিছিলোঁ প্ৰভুৰ পৰিচৰ্য্যাৰ নিমিত্তে। প্ৰভুৰো যেতিয়া আমাৰ সকলো, তেওঁক এৰি আগবঢ়ান পাপ আমাৰ কি লাভ।

৩য়া ভৈঃ—তেওঁৰ লগে লগে আমি দ্বাৰকালৈ গৈ কি বোলা।

১ম ভৈঃ—এতিয়াই মহো উৰা মাৰিব খোজা নাই। যুদ্ধ শেষ হ'ল যেতিয়া তেওঁ যাবই। আমিও তেওঁৰ পাছে পাছেই যাম।

২য়া ভৈঃ—পাণ্ডৱৰ শিবিৰত অত দিন থাকি কাম সকলক এৰি যাবৰ মন মোৰো নাই।

৩য়া ভৈঃ—মোৰ হলে কেতিয়া যাওঁ কেতিয়া যাওঁ

লাগিছে। এইখন মৰিশালী হ'ল। ভাল হবলৈ বহুত দিন লাগিব।

(সস্ত্ৰৰ একেবাৰে গদ্‌গদ্‌ভাৱেৰে প্ৰবেশ)

১মা ভৈঃ—সৌৱা কোন চা চোন। চিনিপাওঁ চিনিপাওঁ যেন লাগিছে। আহচোন, এই খিনিতে লুকাই থাকি কোননো চাওঁ। (প্ৰস্থান)

সস্ত—(স্বগতঃ) সেই কিজনিক লগ পালোঁ তেও। দুখাইছে। বাক অচিনাকী ভাওকে ধৰোঁ। এক আধ্যা সেৱ হৈছে। দুৰ্য্যোধন আৰু উঠিব নোৱাৰে। অহঙ্কাৰ অনাচাৰৰ এইয়েই পৰিণাম। বহুত মৰিল। মই নমৰিলোঁ। কিয় মৰিম? মৰিবৰ আয়শ্যক নাই। কি সুন্দৰ আকাশ! কি সুন্দৰ পৃথিবী, কি সুন্দৰ মোৰ প্ৰভু! এইবিলাক এৰি মই কেনেকৈ মৰোঁ! মোৰ দৰেই দেহি দুৰ্য্যোধনে পাণ্ডৱক নিৰ্ব্বিঘ্নে এৰি মৰিবৰ ইচ্ছা কৰা নাই। সেই দেখি অশ্বত্থামাক সেনাপতি পাতি পাণ্ডৱ বধ কৰিবলৈ পঠাইছে। পাৰিলে মৃত্যুৰ আগতেই পাণ্ডৱৰ পাঁচোটা মুখ চাই লয়। অশ্বত্থামা হেজাৰেই বলী হ'ক। ইও এক অন্তৰ্ত কথা। হ'লেই যেনিবা অসম্ভৱ। মানিলেহে হৈছে। সেইদেৰে আগেয়ে সচাঁক সঁচা বোলাইতেন, ধৰ্ম্মৰ ধৰ্ম্ম বোলাইতেন, কুৰুক্ষেত্ৰৰ যুদ্ধই নহয়। এতিয়া সত্য কৈ কব কি? য'ৰ মাহাত্ম্য ত'লৈ বল। হাঃ, হাঃ, হাঃ নহয় জানো! পৃথিবীখন ঠিক বলীয়া।

(আনন্দিত হৈ ভৈৰৱী সকলৰ প্ৰবেশ, সস্তক বেঢ়ি হাত ধৰে)

১মা ভৈঃ—এইয়া আমাৰ সস্ত হয়, হয়।

২য়া ভৈঃ—হয় আকৌ এইবাৰ সাৰিব নোৱাৰে।

৩য়া ভৈঃ—ধৰ, ধৰ নেৰিবি। দ্বাৰকাৰ পৰা আমাক যেনেকৈ আনিছিলা, ভালে ভালে লৈ যোৱা। নহলে মুখই নেৰোঁ।

(ভৈৰৱীয়ে হাতত ধৰে। দুজনীয়ে দুখন হাতত ধৰে। সস্তই বেঙ্গা ভাও ধৰে, সিহঁতে ধৰি থাকোতেই বিভিন্ন ভাব দেখুৱাই ঘুৰি থাকে)

সস্ত—এই কিজনী ক'ব কুঁজী দাহ। তহঁত ভূতনে পিশাচ (৩য়া ভৈঃ চিকুটে) হেৰ নিচিকুটিবি, মুখ মুঘুৰায় মানে হাতত ধৰি ঘুৰি থাক। মুখ ঘুৰালে গাতে পৰিম একা। পিঠা হবি। (আকৌ চিকুটে) দেখিছা এতিয়া হাত কি খনো বন্দী কৰি থৈছে। (মুখ মেলি) এতিয়া কামোৰ মাৰি চুলি কোছাকে আনিম। তাকলী হবি পাছে। কোনেও নিনিয়া হবি।

১মা ভৈঃ—(হাঁহি) বাক সেইখন থোৱা। চিকুটাৰ কথাহে কৈছা, তোমাক বাকুহিলেও দায় নাই। ইমান ফাকি?

সস্ত—হেৰ নেটানিবি, কিহে পালে!

২য়া ভৈঃ—ভয় নাই, ভয় নাই, আমিহে পাইছোঁ।

সস্ত—হেৰ' নেটানিবি—দুজনীৰ হাতত দুখন হাত এৰিয়ে যাব দেখোন। হেৰ মোৰ পখিলীহঁতক এৰি মই যুঁজতো নমৰিলোঁ। এই কোবত তহঁতৰ সৈতে ঘৰ পাতিম।

৩য়া ভৈঃ—ক'ৰনো পখিলা পালাহে? (হাত এৰে।)

সস্ত—তহঁতে কি জান। আমাৰ কৃষ্ণৰ দ্বাৰকাত ফুল যোগোৱা পখিলী তিনাট মৌলে আহিব খুজিছে। দেখাত তহঁতৰ নিচিনাই।

১মা ভৈঃ—সিহঁত নো এতিয়া ক'ত আছে।

সস্ত—সিহঁত এতিয়া। কওঁনে?

১মা ভৈঃ—কোৱা, কোৱা।

সস্ত—সিহঁতে এতিয়া মোক খপকৰে টনা আজোৱা লগাইছে।

৩য়া ভৈঃ—বাক ভাওটো ধৰিছা। আমি আগেয়ে জানিছোঁ। পাচে সেই কিজনী বাখিনীহে।

সস্ত—সিহঁত এতিয়া দ্বাৰকাৰ পৰা উৰা মাৰি কুৰুক্ষেত্ৰ পাই পখিলী হ'ল।

২য়া ভৈঃ—সেই বোৰ থোৱা। দুৰ্য্যোধনে কি কৰিছে।

সস্ত—ঠেঙ্গ ভাগি পৰি আছে। অশ্বত্থামাই পাণ্ডৱৰ মুৰ কেইটী দেখুৱালেই চকু মুদিব।

১মা ভৈঃ—পাণ্ডৱৰ মুৰ কেইটী ক'ত পাব?

সস্ত—পাণ্ডৱৰ ডিঙ্গি কিটাৰ ওপৰত।

১মা ভৈঃ—নহয় কাটিব কেনেকৈ ?

সন্ত—দা'ৰে এইদৰে (১মা ভৈঃক দা' দাঙি কাটিব খোজে।)

১মা ভৈঃ—আইঔ সচাঁকৈ কাটিব নেকি ?

সন্ত—ঠিক সেইদৰে কাটিব নোৱাৰে হবলা।

৩য়া ভৈঃ—বাৰু দ্বাৰকালৈ কেতিয়া যাব ?

সন্ত—ইয়াত প্ৰভুৰ লগত এটা বন্দোবস্ত কৰিব পাৰিলে, কালিলৈকে যাম ?

২য়া ভৈঃ—কি বন্দোবস্ত হে ?

সন্ত—বৰ ডাঙৰ। তইঁত থাক। (প্ৰস্থান)

১মা ভৈঃ—মানুহ জনক এৰিবৰ মনকে নাযায়।

২য়া ভৈঃ—তেঁৱো ভালকৈ ধৰিবৰ হে কাৰবাৰ কৰিছে।

৩য়া ভৈঃ—সেয়ে হলেও সন্তোষ পাম।

(প্ৰস্থান)

৫ম দৃশ্য।

(দুৰ্য্যোধনে কেঁকাই গেথাই শুই আছে।
ওচৰত জনচেৰেক পাৰিষদ বহি আছে।)

দুৰ্য্যোধন—(কেঁকাই) কিমান বেলি হ'ল।

১ম পৰিষদ—ৰাতি পুৱাইছেহে ! মহাৰাজ !

দুৰ্য্যোধন—পুৱাইছে পুৱক, আৰু নুপুৱায়।

অশ্বত্থামা—মহাৰাজ !

দুৰ্য্যোধন—বাহিৰত কোন ! লৈ আহ।

(পাৰিষদে অশ্বত্থামাক আনে। অশ্বত্থামাই হাতত ৰক্তাক্ত পাচোটী মূৰ বান্ধি আনে)

১ম পাৰিষদ—মহাৰাজ ! গুৰুপুত্ৰ সেনাপতি অশ্বত্থামা।

দুৰ্য্যোধন—অ, মহাবীৰ অশ্বত্থামা, কুৰুক্ষেত্ৰৰ শেষ সেনাপতি।

অশ্বত্থামা—হয়, মহাৰাজ।

দোৰ্য্যোধন—কি সংবাদ।

অশ্বত্থামা—শুভ সংবাদ। পাণ্ডৱৰ পাচটী মূৰ মহাৰাজক উপহাৰ দিবলৈ আনিছোঁ।

দুৰ্য্যোধন—(উঠিব খুজি নোৱাৰি) আকৌ চেষ্টা কৰি হাতত ভৰ দি গা দাঙ্গি) কি পাণ্ডৱৰ মূৰ ? যুদ্ধ কৰি পাণ্ডৱৰ মূৰ আনিলে ?

অশ্বত্থামা—হয়, ৰাতি শিৱিৰত সোমাই পাণ্ডৱক বধ কৰিলোঁ।

দুৰ্য্যোধন—পাণ্ডৱৰ শিবিৰত কেনেকৈ সোমালে ? অন্যায় কৰিলে। হ'ক বাৰু অন্যায়। পাণ্ডৱৰ মূৰ পালে অন্যায় কৰিলেও ক্ষমা আছে। পাণ্ডৱৰ কাৰণে কৃষ্ণই আগেয়ে অনেক অন্যায় কৰিলে। অন্যায়ক অন্যায়েৰে নিবিন্ধিলে উপাই নাই।

অশ্বত্থামা—পাণ্ডৱৰ দুৱাৰত সাক্ষাৎ দেৱাদিদেৱ মহাদেৱ দুৱৰী, কত কাৰৌ কৰিলোঁ বাট এৰি নিদিয়ে। অস্ত্ৰ প্ৰয়োগ কৰিলোঁ গিলি থলে। উপাই নাপাই বেলপাত এটিৰে পূজা কৰিলোঁ। ভিতৰ সোমাই পাণ্ডৱ বধ কৰি এই পাচোটি মূৰ লৈ আহিছোঁ। মোৰ হাতত পাণ্ডৱৰ ফলীয়া অনেক বীৰ ধ্বংস হৈছে।

দুৰ্য্যোধন—ভাল কৰিলে গুৰুপুত্ৰ, ভাল কৰিলে। জীৱনৰ শেষ মুহূৰ্ত্তত মোক সুখ দিলে। পাণ্ডৱৰ মূৰ পাঁচোটা মোৰ হাতলৈ দিয়ক।—দিয়ক।—দিয়ক।

অশ্বত্থামা—(মূৰ পাঁচোটা মোকোলাই দুৰ্য্যোধনৰ হাতত দিয়ে) ধৰক মহাৰাজ।

দুৰ্য্যোধন—(এটা মূৰ বাচি লৈ) এইটো ভীমৰ মূৰ (টিপা মাৰি—ভাঙ্গি বেজাৰ মনেৰে এচাৰ মাৰি পেলাই বাকী কিটাও সেই দৰে ভাঙ্গি মুখত বিৰক্তিৰ চিন দেখুৱাই হুমুনিয়াহ কাঢ়ে)। অসম্ভৱ অশ্বত্থামা—এই কেইটা পাণ্ডৱৰ মূৰ নহয়। যি ভীমৰ মূৰ পৰ্ব্বতৰ নিচিনা মোৰ ভীষণ গদায়ো একো কৰিব নোৱাৰিলে। ইমান সহজে সেই ভীমৰ মূৰ নাভাগে। যি ভীমে পৰ্ব্বত ভাঙ্গিব পাৰে, শত সহস্ৰ ৰাক্ষস বধ কৰিব পাৰে, কিৰ্ম্মিৰ, বক, হিৰিম্ব, জটাসুৰ আৰু কিচকৰ শত ভাইক বিনাশ কৰিব পাৰে, সেই ভীমক বধ কৰিবৰ অশ্বত্থামাৰ শক্তি নাই (অশ্বত্থামালৈ চাই) কি হ'ল গুৰুপুত্ৰ, কিহ'ল ? পঞ্চ পাণ্ডৱ বুলি দ্ৰোপদীৰ পঞ্চ শিশুক বধ কৰিলে। ব্ৰাহ্মণ হৈ শিশু বধ কৰি কলঙ্ক ৰাখিলে। মই অনন্ত নৰকৰ ভাগী হলোঁ বৰ উপকাৰ কৰিলে গুৰুপুত্ৰ বৰ উপকাৰ (কান্দোনৰ

সুৰে মূৰ ভুকোৱাই) কি কৰিলে গুৰুপুত্ৰ কি কৰিলে ! কুৰুকুলত পিণ্ড দিবলৈকে কাকো নথলে। হায় মোৰ বংশ নিৰ্ব্বংশ হবলৈকে ইমান আনন্দ হৈছিল ! মোৰ এইয়ে শেষ (ওপৰলৈ মূৰকৈ থিৰেৰে শোৱে) আৰু আনন্দ নেলাগে ব্ৰাহ্মণ। বৰ আনন্দ দিলা। বৰ আনন্দ দিলা ! নাৰায়ণ যাব ৰথৰ সাৰথি। তাক তুমি, ক্ষুদ্ৰ ব্ৰাহ্মণে কি বধ কৰিবা ? অশ্বত্থামা ! গুৰুপুত্ৰ ! ব্ৰাহ্মণ ! অনাচাৰী ! ৰাক্ষস ! তুমি আনন্দ নিদিলা। মৃত্যু দিলা।

অশ্বত্থামা—(গৰ্ব্ব কৰি) দুখ নকৰিব মহাৰাজ। অশ্বত্থামাই পাণ্ডৱক জীৱন্তে কেতিয়াও নেৰে। সন্মুখ—সংগ্ৰাম কৰি পাণ্ডৱক বধ কৰিম। আপুনি থিৰ হ'ক।

দুৰ্য্যোধন—আ-ৰু দ-ম্ভ-ৰ আ-ব-শ্য-ক নাই।

(পটক্ষেপন)

৬ষ্ঠ দৃশ্য

(হস্তিনাপুৰ, পুৱা সঞ্জয়ে ধৃতৰাষ্ট্ৰক ধৰি ধৰি আনে।

ধৃতৰাষ্ট্ৰ—কোৱা, কোৱা মুদ্ধৰ আৰু সংৱাদ—

সঞ্জয়—সংবাদ প্ৰায় শেষ। ভীমে দুৰ্য্যোধনক উৰু ভঙ্গ কৰা কথা জানেই। অশ্বত্থামাই পঞ্চ পাণ্ডৱৰ মূৰ আনি দিম বুলি দ্ৰৌপদীৰ পঞ্চপুত্ৰৰ মূৰ আনি দুৰ্য্যোধনক উপহাৰ দিলেহি। গুৰুপুত্ৰই নিশা চিনিব নোৱাৰি এনে অন্যায় কৰিলে। নিৰ্দ্দোষী শিশু বধৰ বিষাদত দুৰ্য্যোধনৰ—।

ধৃতৰাষ্ট্ৰ—দুৰ্য্যোধনৰ—কি হৈছে (উত্তেজিত হৈ) কি হৈছে সঞ্জয় নোকোৱা কিয় ?

সঞ্জয়—(তলমূৰকৈ এফলীয়াকৈ কান্দি) দুৰ্য্যোধন আৰু জগতত নাই।

ধৃতৰাষ্ট্ৰ—(উত্তেজিত হৈ) জগতত নাই ? তেন্তে দুৰ্য্যোধনৰ মৃত্যু হৈছে। সঞ্জয় এই সুন্দৰ সূৰ্য্যকিৰণৰ লগে লগে মোলৈ বজ্ৰপাত কিয় মাৰিলা সঞ্জয় ? (মূৰ্চ্ছা)

সঞ্জয়—মহাৰাজ !

(বিদুৰৰ প্ৰবেশ)

বিদুৰ—বিলাপ কৰিলে কি হব আৰু মহাৰাজ।

ধৃতৰাষ্ট্ৰ—কি হব, কি হব, দুৰ্য্যোধন, মোৰ দুৰ্য্যোধন নাই। মোৰ শতপুত্ৰৰ একপুত্ৰও নাই বিদুৰ ! মোৰ জলপিণ্ড দিওঁতা কোনো নাই। হায়, বিধাতা। মোক কি কৰিলা ? কোৱা সঞ্জয়, কোৱা। ভীষ্ম, দ্ৰোণ, কৰ্ণ আদি মহাবীৰ কলৈ গ'ল। কুমন্ত্ৰনা, দাতা শকুনি ক'লে গ'ল। সি মোৰ পুত্ৰক সজ মন্ত্ৰনা দিয়া হলে এনে কেতিয়াও নহয়। ঋষি, মুনি, পিতামহ, গুৰু কাৰো কথা নুশুনিলোঁ ! সেই কাৰণে মোৰ এনে দশা। আচৰিত কথা সঞ্জয়, ভীষ্মক পাণ্ডৱে পৰাজয় কৰা আচৰিত কথা। সঞ্জয় মোক যুদ্ধক্ষেত্ৰলৈ লৈ বলা। মই পাণ্ডৱক বধ কৰিম। মই পাণ্ডৱক বধ কৰি হেপাহ পলাওঁ।

বিদুৰ—শোক কৰিলে কি হব মহাৰাজ। দৈবৰ লিখন খণ্ডাব পৰা কোনো নাই। আপোনাতকৈ জনা শুনা আৰু বৃদ্ধ কোনো নাই। আপুনি শাস্ত্ৰজ্ঞ, জ্ঞানী আপোনাক আৰু কি কম ? যি হব লগীয়া আছিল, সি হ'ল। নহলেনো অত গুৰুজনৰ উপদেশ মোহাৰি যুজলৈ যায়নে ? আপোনাৰ নিচিনা জ্ঞানী পুৰুষেও পাশা খেলাত জিকা হৰা লৈ আনন্দ কৰিব লগীয়া হৈছিল। এই সকলো কালৰ প্ৰেৰণা ; মহাৰাজ, শোক কৰিলে কি হব।

ধৃতৰাষ্ট্ৰ—তাৰ পাচত কি হৈছে সঞ্জয় কোৱা, কোৱা, বিদুৰ, মোক যুদ্ধক্ষেত্ৰলৈ নিয়া।

সঞ্জয়—তাৰ পাচত, মহাৰাজ, অশ্বত্থামাই পাণ্ডৱক বধ কৰিবলৈ আকৌ গৈছে। ভীমে দ্ৰৌপদীৰ পঞ্চপুত্ৰ বধৰ প্ৰতিশোধ লবলৈ কালান্তক যমৰ দৰে ওলাই আহিছিল। কৃষ্ণই অৰ্জ্জুনৰ সৈতে ভীমক পাচ পেলাই অশ্বত্থামাৰ সন্মুখ হৈছে। অশ্বত্থামাই পাণ্ডৱ বধৰ নিমিত্তে অমোঘ অস্ত্ৰ প্ৰয়োগ কৰিছে।

ধৃতৰাষ্ট্ৰ—বিদুৰ, সঞ্জয় কুৰুক্ষেত্ৰলৈ সকলোকে লৈ বলা। সকলোৱে এবাৰ দুৰ্য্যোধন আদিৰ মুখ চাই লবা। কুলবধূ সকলোকো ওলাবলৈ কোৱা। মোৰ শত পুত্ৰ বধ কৰা ভীম কিমান বলী, পাৰিলে এবাৰ পৰীক্ষা কৰোঁ।

৭ম দৃশ্য

সন্ত আৰু শ্ৰীকৃষ্ণ

পাণ্ডৱৰ শিবিৰ।

শ্ৰীকৃষ্ণ—মই তোমাৰ কথা সকলো বুজিছোঁ। তুমি মোৰ পৰম ভক্ত। মোৰ মাউৰী সখী সকলে তোমাৰ লগে লগে যুদ্ধলৈ অহাৰ কথাও জানোঁ। তোমালোকৰ প্ৰেম, তোমালোকৰ ভক্তি, তোমালোকৰ সেৱা দেখি মই বৰ সন্তোষ পাইছোঁ। মোৰ অলপ কাম বাকী আছে। তোমালোক দ্বাৰকালৈ আগবাঢ়া মই পাচে পাচে যাম। মই দ্বাৰকালৈ গ'লে তুমি তিনিওটি কন্যাৰ পাণিগ্ৰহণ কৰিব লাগিব। মাউৰী ছোৱালী কেটিক এই দৰে গতি লগাব পাৰিলেহে মোৰ চিন্তা দূৰ হয়।

সন্ত—প্ৰভু! যুদ্ধৰ অন্ত হলতো দ্ৰৌপদীৰ পঞ্চপুত্ৰ আৰু ধৃষ্টদ্যুম্নাদিৰ কিয় বধ হ'ল।

শ্ৰীকৃষ্ণ—মই বিশেষ কি কম সন্ত। পৃথিবীৰ ভাৰ কমাবলৈ হলে সেই বিলাক থকাৰ সঁচাকৈ যোগ্য নহয়। সেই দেখি এই হত্যাৰ লগে লগে অনাচাৰী ক্ষত্ৰীয়ৰ ধ্বংশ শেষ হল। মই ৰাখিবলৈ চেষ্টা নকৰিলোঁ। ইচ্ছা কৰা হলে দ্ৰোণীয়ে বধ কৰিব নোৱাৰে। বাৰু যোৱা সন্ত, তোমালোক আগবাঢ়া।

(সন্তৰ সেৱা কৰি প্ৰস্থান, অলপ পাচতে ভীম আৰু দ্ৰোপদীৰ প্ৰবেশ)

শ্ৰীকৃষ্ণ—(স্বগতঃ) মোৰ লগতেই বেচেৰাইত এই দৰে ঘুৰি ফুৰিছে। ঘৰ নাই বাৰী নাই ময়েই সকলো। সেই ছোৱালী কেটি ক্ষত্ৰিয় ৰাজকন্যা। জৰাসন্ধৰ অত্যাচাৰত পিতৃমাতৃ হেৰুৱাই উটিবুৰি ফুৰি এতিয়া পাৰ পাইছে (ভীমক দেখি) আজি তোমাৰ পুনৰ জন্ম, দাদা বৃকোদৰ। দ্ৰৌপদী,—অশ্বত্থমাৰ শিৰোমণি অশ্বত্থমাৰ শিৰৰ তুল্য অশ্বত্থমা অমৰ।

ভীম—শিৰোমণিৰেই পঞ্চপুত্ৰ আৰু ভ্ৰাতা সকলৰ শোক পাহৰণ দ্ৰৌপদী। অশ্বত্থামা অমৰ উপায় নাই।

শ্ৰীকৃষ্ণ—দাদা তুমিও এইদৰে প্ৰতিজ্ঞা কৰা উচিত নহয়। দ্ৰৌণীয়ে তোমালৈ যি অস্ত্ৰ প্ৰয়োগ কৰিলে সি অমোঘ। সেই অস্ত্ৰৰ উদ্দেশ্য পৃথিবী নিঃ পাণ্ডৱ কৰা। মই অনেক কষ্ট কৰি অশ্বত্থামাক সম্মত কৰাই তোমালোকৰ পৰা সেই অস্ত্ৰ ঘুৰাই উত্তৰাৰ গৰ্ভপাত কৰিবলৈ পঠালোঁ।

দ্ৰৌপদী—(উচাপ খাই) কি কৰিলা নাৰায়ণ। তুমি সৰ্ব্বনাশ কৰিলা। এনেয়ে পঞ্চপুত্ৰৰ শোকত জৰ্জ্জৰিত তাতে যি এটি বংশধৰৰ আশা আছিল, তাকো নিৰ্ম্মূল কৰিলা, ভাল উপকাৰ কৰিলা প্ৰভু (তলমূৰ কৰি চকুৰ পানীটোকে)

ভীম—(খঙেৰে) যদি মোক বধ কৰিয়েই অস্ত্ৰ ক্ষান্ত হয়, তেন্তে কোন যুক্তিৰে গৰ্ভৰ শিশুক বধ কৰিলা? পাণ্ডৱক নিৰ্ব্বংশ কৰিলা যদুপতি, তোমাৰ কপটতা অসহ্য তুমি যিমান উপকাৰী সিমান অপকাৰীও। হে কৃষ্ণ! তুমি যিমান সোনকালে আমাক এৰা সিমান ভাল (খঙত যাব খোজে)

শ্ৰীকৃষ্ণ—(হাঁহি) ৰ'বা দাদা বৃকোদৰ খঙ্গ কৰিছা কিয়? আত্মৰক্ষা সকলোৰে কৰ্ত্তব্য। এই হেন বৃকোদৰক যদি গৰ্ভৰ শিশু এটিৰ সলনি ৰখাব পৰা যায় তেন্তে তেনে শিশু বধ কোন মূৰ্খই নকৰিব। শুনা দাদা শুনা।

ভীম—(বিৰক্ত ভাৱে উভতি চাই) শুনিবলৈ আৰু কি আছে বাকী? তুমি পাণ্ডৱৰ সৰ্ব্বনাশ কৰিলা।

দ্ৰৌপদী—কি কম আৰু নাৰায়ণ তুমি সৰ্পৰ দৰে দংশন কৰিবলৈ নেৰা, বৈদ্যৰ দৰে জাৰিবলৈও পাছ নোহোহকা।

শ্ৰীকৃষ্ণ—(হাঁহি) ঠিক কলা যাজ্ঞসেনী, জানিশুনি বেজাৰ কৰা কিয়?

ভীম—(খঙেৰে) কপটীয়া কৃষ্ণই বেজাৰ নকৰিব পাৰে, সাধাৰণ মানুহলৈ ই অসম্ভৱ।

শ্ৰীকৃষ্ণ—ভয় নাই সাধাৰণৰ। দাদা! এই অসাধাৰণক কিয় গালি পাৰিছা? মই তোমালোকৰ ৰক্ষাৰ নিমিত্তেই অতদিন কুৰুক্ষেত্ৰৰ কৰ্ণাধাৰ ৰূপে কাম কৰিছোঁ, উত্তৰাৰ গৰ্ভত মই প্ৰবেশ কৰি তোমালোকৰ বংশধৰক ৰক্ষা কৰিছোঁ।

ভীম—তেন্তে যদুপতি ইমান বেজাৰ দিয়া কিয়? তুমি যেনেকৈ কৰিছা সেইদৰে পাণ্ডৱ জয়ী হৈ আছে। ক্ষমা কৰিবা ভাই। খঙত বেয়া কথা কলোঁ।

দ্ৰৌপদী—সদায় ইমান ধেমালি কিয় যদুপতি?

শ্ৰীকৃষ্ণ—(বেজাৰৰ ভাও ধৰি) কি কৰিম দ্ৰৌপদী, কি কৰিম দাদা। তোমালোকৰ নিমিত্তে ইমান যত্ন কৰিও পদে পদে অপমানিত আৰু লাঞ্ছিত। ইমানতো তোমালোকৰ সন্তোষ লগাব নোৱাৰোঁ। কি কৰিম। মোৰ শক্তি নাই।

ভীম—(কুণ্ঠিত ভাৱে হাতত ধৰি) যদুপতি ক্ষমা কৰা। বেয়া নাপাবা। তুমি জানাই মোৰ পদে পদে দোষ। মই পোন কথাটোহে জানোঁ।

দ্ৰোপদী—ক্ষমা কৰা যদুপতি।

শ্ৰীকৃষ্ণ—(হাঁহি আগৰ নিচিনা হৈ) মোৰ ক্ষমা এৰা। তোমালোকে কৰিলেই হ'ল। সেইবোৰ কথা এৰা। অন্ধৰাজ ধৃতৰাষ্ট্ৰই সসৈন্যে কুৰুক্ষেত্ৰলৈ যাত্ৰা কৰিছে। এইবাৰ সাৱধান।

ভীম—(আচৰিত হৈ) একো নুবুজিলোঁ যদুপতি। কুৰুপতিৰ সৈন্য থাকিলে দুৰ্য্যোধনৰ এনে দশা নহয়।

শ্ৰীকৃষ্ণ—এইবাৰ যি সৈন্য আহিব সি ভয়ঙ্কৰ। নাৰী সৈন্য আৰু যাৰ অস্ত্ৰ বাক্য। যাৰ ধৰ্ম্ম সতীত্ব, যাৰ ৰূপ লাৱণ্যৰ প্ৰভাৱত পৃথিবী কম্পমান। যাৰ অপমানত পৃথিবীত মহাপ্ৰলয় হৈ আহিছে। বলা দাদা সেই যুজলৈ সাজু হওঁগৈ।

ভীম—বাৰু ভয়তো থুৱাইছা যদুপতি।

শ্ৰীকৃষ্ণ—বাৰু বলা তোমাৰ গদা আৰু অৰ্জ্জুনৰ গাণ্ডীৱ সৰি পৰেনে নপৰে চাম।

দ্ৰৌপদী—বাৰু তুমি আছা নহয়। (সকলোৰে প্ৰস্থান)

অষ্টম দৃশ্য

(কুৰুক্ষেত্ৰৰ ভীষণ শ্মশান)

(গান্ধাৰী, পদ্মা, ভানুমতী আদি আৰু দাসদাসী। গান্ধাৰীয়ে ভানুমতী আৰু পদ্মাক ধৰি আনে)

গান্ধাৰী—(মূৰে কপালে হাত দি) এইয়েই কুৰুক্ষেত্ৰ, মোৰ স্বামীৰ লগতে ময়ো অন্ধ। স্বামীৰ লগতে মোকো অন্ধ কৰি ঈশ্বৰে ভাল কৰিলে।

পদ্মা—(মুখ চকু ঢাকি এবাৰ চাই শিয়ঁৰি) কি ভীষণ! কি ভীষণ! আই, আই। ৰণক্ষেত্ৰ বৰ ভীষণ (বলিয়ানীৰ দৰে গান্ধাৰীৰ ভৰিত ধৰি কৰুণ সুৰে) মোৰ বৃষকেতু এটা মাথোন বাকী। তাক যুজঁলৈ নপঠাব, (ডাঙ্গৰৈকে) ভীষণ, তেজেৰে বাঙলী! (এচাৰ খাই পৰে)

(গান্ধাৰীয়ে চকু ঢাকি ফেকুৰী কান্দে, ভানুমতীয়ে মূৰে কপালে হাত দি বহি থাকে)

এজনী দাসী—(পদ্মাক) ৰাণী, ৰাণী আই উঠক উঠক।

পদ্মা—(একে কোৰে উঠি) উঠিম যুদ্ধ কৰিম। হাঃ হাঃ চামুণ্ডাৰ ৰূপ ধৰিম। পাণ্ডৱ বধ কৰিম। মই আজি সেনাপতি হাঃ হাঃ। (দাসীয়ে ধৰে। আন এজনী দাসীয়ে কান্দি থকা ভানুমতীক দাঙি ধৰে। এনেতে উত্ৰাৱল হৈ উত্তৰাৰ প্ৰবেশ। কুন্তী, দ্ৰোপদী আৰু দাসীয়ে কান্দি কান্দি পাচে পাচে খেদি আহে। কুন্তীয়ে উত্তৰাক আলফুল কৈ ধৰি মূৰৰ ফালে কোলাত লৈ বহি পৰি কান্দে)

কুন্তী—উত্তৰা, উত্তৰা।

উত্তৰা—আই যুদ্ধ কাৰ লগত?

কুন্তী—উত্তৰা, এই ভীষণ কুৰুক্ষেত্ৰলৈ কিয় আহিছিলি ইয়াত সকলো সমান। হায়! পুত্ৰ কৰ্ণ কলৈ গ'ল? মোৰ অতবোৰ নাতি ভাই বন্ধু কলৈ গ'ল? উঠ উত্তৰা বেজাৰ কৰিলে কি হব। যি গ'ল গ'ল সি ঘূৰি নাহে"

পদ্মা—অঙ্গপতি কলৈ গ'ল কোনে কব। মোৰ স্বামী মোৰ দেৱতা আছে মোৰ হৃদয়তে।—নাই নিদিও বধ কৰিবলৈ এৰি নিদিওঁ।

কুন্তী—পদ্মা—পদ্মা। (পদ্মা আকৌ মূৰ্চ্ছিত। দাসীয়ে ধৰে)

গান্ধাৰী—যতে ধৰ্ম্ম ততে জয় কুন্তী, য'তে কৃষ্ণ ততে ধৰ্ম্ম, বৰ ভালকৈ জানোঁ। কিন্তু মনে নাজানে ইয়াত সকলো সমান। শ্মশানে শত্ৰুমিত্ৰ একে কৰে। [মুখত কাপোৰ লৈ কান্দে। সকলো বিলাকে মুখত কাপোৰ লৈ কান্দে। নেপথ্যত বৰাগীয়ে গীত গাই গাই প্ৰবেশ কৰে।

বৰাগীৰ গীত শুনি তিৰোতা বিলাক এফলীয়া হয় কোনো থিয় হয় কোনো বহে, কোনোক দাসীয়ে ধৰি থাকে।]

বৰাগীৰ গীত—

জয় সনাতন সৃজন কাৰক—
জয় চৰাচৰ বিশ্ব পালক—
নমো কালৰূপ জগত নাশক—
ভক্তি আকুল প্ৰাণেৰে ॥

কুন্তী—বৰাগী, এই ভীষণ মৰণ ক্ষেত্ৰত কিয় ?

বৰাগী—আৱশ্যক আছে কুন্তী।

কুন্তী—মোক কেনেকৈ চিনি পাইছে ?

বৰাগী—মই সকলোকে চিনি পাওঁ। মোৰ ওচৰত অচিনা কোনো নাই। অচিনা হৈ থাকিবৰ কাৰো সাধ্য নাই।

কুন্তী—তুমি কোন ?

বৰাগী—মই মহাকাল। মোৰ অগম্য স্থান নাই। মোৰ কৰ্ত্তব্যত ব্যাঘাত নাই। মই অজৰ অমৰ। চিৰকাল আছোঁ চিৰকাল থাকিম।

কুন্তী—এই দৰে বৰাগীৰ বেশে ঘূৰি ফুৰিছে কিয় ?

বৰাগী—বৰাগীৰ বেশ ধৰি কুৰুক্ষেত্ৰৰ যুদ্ধ সমাপ্ত কৰিছোঁ। সকলো নিমিত্ত মাথোঁ মই সকলো ধ্বংস লীলাৰ মুখত আছোঁ।

কুন্তী—আপুনি যদি যাই, সাক্ষাৎ কৃষ্ণৰূপী ভগৱন্তৰ আৱশ্যক কি ?

বৰাগী—ময়ো তেওঁৰ ভৃত্য মাত্ৰ। তোমালোকৰ শোক বেজাৰ মিছা। এই শোক বেজাৰ কোনেও খণ্ডাব নোৱাৰে। কালৰ কৰাল গ্ৰাসে কাকো কতো এৰি নিদিয়ে। সৌৱা দেখিছা! মহান জ্যোতিঃ, তাত সকলো লীন হৈছে।

(ওপৰত জ্যোতি ৰূপৰ বিচিত্ৰ আৰ্ভিভাৱ। সকলোৱে থৰ লাগি চাই থাকে বৰাগী গুচি যায়।)

কুন্তী—নিষ্ঠুৰ কাল পলাই গুচি গ'ল। সৌৱা এইফালে সকলো আহিছে অলপ আঁতৰ হোৱা।

(সকলোৱে অলপ পৰ ধীৰভাব ধৰি আঁতৰ হয়। শ্ৰীকৃষ্ণ, পাণ্ডৱ, কৃপ আদি বীৰ সকল আৰু জনচেৰেক সৈন্য আছে। ধৃতৰাষ্ট্ৰক সঞ্জয়ে ধৰি আনে শ্ৰীকৃষ্ণই ধৃতৰাষ্ট্ৰৰ লগত কথাপাতি আহি)

শ্ৰীকৃষ্ণ—মহাৰাজ এতিয়াও ইমান অধৈৰ্য্য হোৱাৰ আৱশ্যক নাছিল। কপট বিলাপৰ আৱশ্যক নাই। আপোনাৰ হাতলৈ ভীমক এৰি দিয়া নাই। আপুনি লৌহ ভীম ভগ্ন কৰিছে। এনে কপটতাৰ কাৰণেই আপোনাৰ ধ্বংস হৈছে।

ধৃতৰাষ্ট্ৰ—কি কৰিম যদুপতি। তুমি নিজেই প্ৰতিহিংসাৰ জুই জলাই দিছা।

শ্ৰীকৃষ্ণ—আপুনি পাণ্ডৱক ক্ষমা কৰি আশীৰ্ব্বাদ দিয়ক। পাণ্ডৱে আপোনাক সেৱা কৰিছে। আশীৰ্ব্বাদ দীয়ক (পাণ্ডৱ সকলে আঠুলৈ ধৃতৰাষ্ট্ৰক সেৱা কৰে। সঞ্জয় ধৃতৰাষ্ট্ৰৰ হাতত ধৰি যুধিষ্ঠিৰৰ মূৰত লগাই দিয়ে)

ধৃতৰাষ্ট্ৰ—পাণ্ডৱ অজেয় হৈ কুৰুবংশ উজ্জল কৰা (পাণ্ডৱে সেৱা কৰি উঠে গান্ধাৰীৰ প্ৰৱেশ)

গান্ধাৰী—পাণ্ডৱ অজেয় হ'ক তাত বিষাদ নাই। পাণ্ডৱ ধাৰ্ম্মিক হ'ক। ধৰ্ম্মৰ জয় ব্ৰহ্মাণ্ডৰ নীতি। (কৃষ্ণলৈ চাই) কিন্তু কৃষ্ণ কোন ৰীতি মতে মোৰ শতপুত্ৰ পাণ্ডৱৰ হতুৱাই ধ্বংস কৰিলা ?

শ্ৰীকৃষ্ণ—সিও ব্ৰহ্মাণ্ডৰ ৰীতিমতেই মাতৃ। মই ধ্বংস কৰা নাই। আপুনি শোক নকৰিব শোক কৰাৰ পৰা লাভ নাই।

গান্ধাৰী - চোৱা কৃষ্ণ, মোৰ বোৱাৰী বিলাক বিধবা হৈ কেনে দশা হৈছে। যি কুৰু নাৰীক সূৰ্য্যই দেখা নাই সেই নাৰীৰ আজি কুৰুক্ষেত্ৰত কি অৱস্থা। কোনো অচেতন, কোনো অজ্ঞান, কোনো বলিয়ানী। গান্ধাৰীৰ শতপুত্ৰৰ গৌৰৱত পৃথিবী গৌৰৱান্বিত। পৃথিবীৰ ৰাঙলি ক্ষেত্ৰত আজি শত কৌৰৱৰ দেহ বাগৰি পৰিছে। যি দুৰ্য্যোধনৰ চৰণত পৃথিবীৰ ৰজা সকলে পূজা কৰে, সেই দুৰ্য্যোধনৰ ছত্ৰ চামৰ মুকুট শোভিত মূৰ মাটিত বাগৰি ফুৰিছে। হে মুৰাৰি মাকৰ ওচৰত সুপুত্ৰ আৰু কুপুত্ৰ সমান। একে সময়তে মই ইমান শোক কেনেকৈ সহোঁ। যদুপতি! সংসাৰৰ মাজত যিমান শোক আছে, তাৰ ভিতৰত পুত্ৰ শোকেই প্ৰধান।

[illegible]ৰিণীৰ বাহিৰে তাক কোনে জানিব। সেই শোক [illegible]নীয়। শকুনিৰ ক্ৰূৰমতিত মোৰ মহাবলী শতপুত্ৰ [illegible] নাই। সিহঁতৰ দেহ কুকুৰ শিয়ালে টনাটনি [illegible]। মই নিজেই কইছিলোঁ। নাৰায়ণ, যতে ধৰ্ম্ম [illegible]। মোৰ কথা সিহঁতে নুশুনিলে এতিয়া তাৰ ফল [illegible] কৰিছে। কোৱা প্ৰভু আমি কি দোষ কৰিছিলোঁ ? [illegible] কুলৰ বোৱাৰী বিলাকে কি কৰিছিল ? বৃদ্ধ ৰজাক [illegible] পালিব ? এই অসহয়া বাৰীবিলাক, কোনে চাব [illegible] কৰিলা ?

(মূৰ্চ্ছা দাসীয়ে ধৰে)

ধৃতৰাষ্ট্ৰ—গান্ধাৰী ! মুখত কাপোৰ লৈ কান্দে।

যুধিষ্ঠিৰ—(আগবাঢ়ি) মাতৃ ! (আঠু পেলাই পৰিচৰ্য্যা কৰে)

উত্তৰা—(উত্তাৰল হৈ আহে) এইয়া মোৰ স্বামী ([illegible] খেপিয়াই) আহা (কুন্তীয়ে ধৰি বহুৱাই) [illegible] ভাগিনীয়েক, মহাবীৰ পাৰ্থৰ নন্দন, পাণ্ডৱৰ [illegible] লাক মোৰ স্বামী (ভীম অৰ্জ্জুন আদিয়ে তলমূৰ [illegible] এফলীয়া হৈ, কিংকৰ্ত্তব্যবিমূঢ় হৈ ইফাল [illegible] কৰি ৰয় আৰু মুখত হাত দি ভাবে। এনেতে [illegible] চেতনা পাই উঠে।)

গান্ধাৰী—হে মুৰাৰি, হে যদুপতি, পৃথিবী মোলৈ [illegible]। অহঙ্কাৰত মোৰ পুত্ৰ ধ্বংস হ'ল। (খঙেৰে) [illegible] কৃষ্ণ মই নকৈ নোৱাৰোঁ তুমি ইয়াৰ একমাত্ৰ কাৰণ। [illegible] তোমাৰ হাতৰ অস্ত্ৰ মাত্ৰ, তুমি এতিয়া ধৰ্ম্ম দেখুৱাই [illegible] খণ্ডাবলৈ আহিছা। ধাৰ্ম্মিক যুধিষ্ঠিৰে এইবোৰ একো [illegible]। তুমি মাত্ৰ তেওঁক যুজলৈ আগবঢ়ালা। মই [illegible] তুমিয়েই জগতৰ একমাত্ৰ হৰ্ত্তাকৰ্ত্তা। তুমি [illegible] হবলৈ দিছিলা, সেই কাৰণেই মোৰ পুত্ৰ [illegible]।

শ্ৰীকৃষ্ণ—কৰ্ম্মফল কোনে খণ্ডাব আই।

গান্ধাৰী—বুজিলোঁ। কিন্তু তুমি ভাতৃৰ মাজত ভেদ [illegible] আন উপায় নকৰিলা কিয় ?

শ্ৰীকৃষ্ণ—মোৰ শক্তি নাই দেবি !

গান্ধাৰী—(ডাঙৰকৈ খঙেৰে) তেন্তে আৰু শক্তি আছে কাৰ, কপটীয়া কৃষ্ণ। তুমি বাহিৰে ভিতৰে ক'লা। তোমাৰ কপট হাঁহিৱে বিষ বৰষে। তাৰ পৰা ফুল নপৰে। যদি ভাতৃ বিচ্ছেদ বন্ধ কৰিব নোৱাৰিলা, গুছি নগ'লা কিয় ? কোন যুক্তিৰে পাৰ্থসাৰথি হৈ কৌৰৱৰ ধ্বংস যজ্ঞৰ পৌৰহিত্য কৰিলা ? বৰ বেজাৰৰ কথা কৃষ্ণ। কৌৰৱ আৰু পাণ্ডৱ তোমাৰ দুয়ো সমান। কপট নিদ্ৰাৰ চলেৰে তুমি দুৰ্য্যোধনক দেখিও নেদেখিলা। তাৰ পাচত তুমি পদে পদে কৌৰৱৰ শক্তি ব্যৰ্থ কৰি পাণ্ডৱক ৰক্ষা কৰি আহিছা। পাণ্ডৱ তোমাৰ কোন (তলমূৰ কৰি চকুৰ পানী টোকে)

ধৃতৰাষ্ট্ৰ—গান্ধাৰী শান্ত হোৱা, সঞ্জয় মোক লৈ বলা।

শ্ৰীকৃষ্ণ—ৰ'ব মহাৰাজ ! সংসাৰৰ লীলা এইদৰে চলি আছে। ইয়াক বাধা দিবলৈ কাৰো সাধ্য নাই।

গান্ধাৰী—তোমাৰ সাধ্য আছে কৃষ্ণ।

শ্ৰীকৃষ্ণ—শান্ত হ'ক দেবী।

গান্ধাৰী—মোৰ আৰু শান্তি নাই। কৃষ্ণ! তুমি শান্তি দিয়া নাই, ক'ৰ পৰা হব। যি মাতৃৰ এশ পুত্ৰৰ মৃত্যু হয় যি মাতৃয়ে শত শত বিধবা পুত্ৰবধূৰ কান্দোন শুনিব লাগে সেই মাতৃৰ শান্তি ক'ত ? হে ভগৱান কেতিয়াবা নাৰী হৈ অৱতাৰ ধৰি পুত্ৰৱতীহৈ পুত্ৰ হেৰুৱাই মোৰ শোকৰ সোৱাদ লৈ ছাবানে ?

শ্ৰীকৃষ্ণ—আচৰিত প্ৰস্তাৱ !

গান্ধাৰী—একো আচৰিত নহয়। তোমালৈ আচৰিত একো নাই। যি মোহিনী মূৰ্ত্তি ধৰি দেৱতাৰ হকে অসুৰক বঞ্চিত কৰিব পাৰে তেওঁলৈ আচৰিত নহয়। (উচুপি কান্দে)

শ্ৰীকৃষ্ণ—দেবি ! ক্ষান্ত হ'ক। আপোনাৰ শোক মই বুজিছোঁ, ইয়াৰ উপায় নাই। দাদা যুধিষ্ঠিৰ, আত্মীয় স্বজনৰ সৎকাৰৰ চেষ্টা কৰা। তুমি যদি জনা নাই, জানিলোৱা কৰ্ণ তোমাৰ জ্যেষ্ঠ ভাতৃ।

কুন্তী—(যুধিষ্ঠিৰৰ বাউসীত ধৰি চকুপানী টোকে) পুত্ৰ ! কৰ্ণ মোৰ জ্যেষ্ঠ পুত্ৰ। অসময়ত সূৰ্য্যৰ বৰত জন্ম হোৱাৰ কাৰণে বিসৰ্জ্জন কৰিলোঁ।

যুধিষ্ঠিৰ—তেন্তে জননী ইমান ডাঙৰ কথা গুপ্ত কৰি

ৰাখি, মোক চণ্ডালৰ দৰে কিয় জ্যেষ্ঠ সহোদৰ বধ কৰালা ? এনে যে কত শত ভাতৃ ইষ্টমিত্ৰৰ বধৰ ভাগী হৈছোঁ, তাতে আকৌ জ্যেষ্ঠ সহোদৰ। অসহ্য ! (তলমূৰ কৰি মুখ ঢাকে লগে লগে সকলোৱে তলমূৰ কৰে) এই কথা আগেয়ে জনা হলে যুদ্ধই নহলহেঁতেন।

শ্ৰীকৃষ্ণ—দাদা এতিয়া আৰু বেজাৰ কৰিলে কি হ'ব ?

গান্ধাৰী—তোমাৰ প্ৰবোধৰ মূল্য নাই শ্ৰীহৰি তুমি কাকো সুখেৰে এৰা নাই।

যুধিষ্ঠিৰ—মই এই কথা আগেয়ে জনাহলে কৰ্ণক সিংহাসন এৰি দিলোঁ হেঁতেন। কৰ্ণই মন্ত্ৰনা দিয়া হলে মোৰ ভাই বন্ধু এইদৰে বিনাশ নহয়। শুনা মাতৃ মোৰ অন্তৰে প্ৰবোধ মনা নাই। মাতৃ হৈয়ে তুমি ইমান নিষ্ঠুৰ। ভবিষ্যতে মাতৃজাতি ইমান নিষ্ঠুৰ হব নোৱাৰকৈ মই শাপ দিলোঁ। নাৰীৰ অন্তৰৰ পৰা যেন অতি গুপ্ত কথাও প্ৰকাশ পায়। (বেজাৰত তলমূল কৰে)

কুন্তী—পুত্ৰ (তলমূৰ কৰি চকুপানী টোকে)

গান্ধাৰী—উপযুক্ত বিধান যুধিষ্ঠিৰ (ব্যঙ্গ কৰি) তোমাক উপযুক্ত পুৰস্কাৰ কি দিম যদুপতি।

শ্ৰীকৃষ্ণ—দেবি ! যি পাৰিছোঁ উপকাৰ কৰিছোঁ নোৱাৰিলে কি কৰিম।

গান্ধাৰী—(ব্যাকুল হৈ) সঞ্জয়ৰ মুখে মুহূৰ্ত্তে মুহূৰ্ত্তে তুমি মোৰ পুত্ৰক কৰা উপকাৰৰ কথা শুনি আছোঁ। তোমাক চৰাচৰ ব্ৰহ্মাণ্ডৰ কাৰণ বুলি কয়। তুমি মোক ভাবিব নোৱাৰা। তোমাৰ ওচৰত কৌৰৱ, পাণ্ডৱ দুয়োকুল সমান বুলি কেতিয়াও নকৰা ! মই অবলা নাৰী হলেও মোৰ আগত তোমাৰ বাকসংযম আৱশ্যক।

শ্ৰীকৃষ্ণ—দেবি, মোৰ বাক সদাই সংযমেই। দোষ হলেও পুত্ৰৰ তুল্য ক্ষমাৰ যোগ্য।

গান্ধাৰী—ক্ষমা নাই। কপট কৃষ্ণৰ প্ৰতি শোকাতুৰা গান্ধাৰীৰ ক্ষমা নাই। মোৰ নিচিনা শোক তুমি পালেহে মই ক্ষান্ত হম। মই তোমাক শাপ দিম। (এনেতে পদ্মা, কুন্তী, যুধিষ্ঠিৰ, গান্ধাৰী কাষচাপে)

পদ্মা—(শোক ভাবে) মাতৃ শাপ নিদিব, শাপ দিলে লাভ নাই। আমাৰ দৰে তিৰোতা যেন বিধবা নহয়। আপোনাৰ শাপত যেন কোনো মাতৃ আপোনাৰ দৰে পুত্ৰ পৌত্ৰ নেহেৰুৱায়।

কুন্তী—দেবি ! কৃষ্ণক ক্ষমা ক'ৰক।

যুধিষ্ঠিৰ—দেবি ! যদুপতি দোষী নহয়, মই দোষী।

শ্ৰীকৃষ্ণ—আপোনালোকে বেজাৰ নকৰিব। শাপ মোৰ আশীৰ্ব্বাদ। দেবি মোক শাপ দি সান্ত্বনা লাভ কৰক। মই আশীৰ্ব্বাদ বুলি গ্ৰহণ কৰিম।

গান্ধাৰী—শুনা কৃষ্ণ মই যদি সতী হও তেন্তে মোৰ বাক্য অথলে নাযায়। মই পোৱাৰ দৰে তুমি পুত্ৰ শোক পাবা। মোৰ কুলবধুবিলাকৰ দৰে তোমাৰো কুলবধু বিলাক বিধবা হব। তুমি কৌৰৱ পাণ্ডৱ ভেদ কৰাৰ দৰে যদুবংশ নিজে ভেদ হৈ ধ্বংস হব।

(উচুপি কান্দে বাকী বোৰে তলমূৰ কৰে)

পদ্মা—মাতৃ বিনা দোষত আকৌ পৃথিবীত বিধবাৰ কান্দোনৰ সোঁত বোৱালে। আপুনি নিজে দোষী হ'ল। মাতৃ আপুনি অতি নিষ্ঠুৰা।

যুধিষ্ঠিৰ—কি কৰিলা মাতৃ ?

শ্ৰীকৃষ্ণ—(স্বগতঃ) তুমি ভাৰ হৰণ কৰাই মোৰ কৰ্ত্তব্য লঙ্ঘন নহয়। ভালেই হৈছে। (ফুটাই) দেৱি ! মোক বিনা দোষত শাপ দিলে। আপুনি উঠক শাপ দিও বিলাপ কৰিছে কিয় ?

গান্ধাৰী—যদুপতি !

শ্ৰীকৃষ্ণ—(গান্ধাৰীলৈ চাই) হে প্ৰতিশোধ পৰায়না, বিশ্বনাশিনী, জননী, অধমৰ নমস্কাৰ গ্ৰহণ কৰ'ক। আপোনাৰ শাপ এই অধমে মূৰ পাতি গ্ৰহণ কৰিছে। পাৰ্থ সাৰথিৰ ই উপযুক্ত পুৰস্কাৰ। দেৱি ! মোৰ কৰ্ত্তব্য কৰ্য্যত আপুনি সহায় কৰিলে। যদুকুল ধ্বংস কৰিবই লাগিব। সেই কাৰ্য্যৰ নিমিত্ত মই হলোঁ, কাৰণ আপুনি হ'ল। (পদ্মালৈ চাই) হে কৰুণাময়ী, ক্ষমাশিলা, শান্তিময়ী জননি, এই অধমৰ নমস্কাৰ গ্ৰহণ কৰ'ক। এই পৱিত্ৰ শান্তি আৰু ভীষণতাৰ মাজত পাৰ্থ সাৰথিৰ বিদায়।

যৱনিকা পতন

আত্ম-বিবৃতি

—শ্ৰীচিত্ৰসেন যখৰীয়া

(৬)

সম্পাদক ডাঙৰীয়া,

মই আৰু নিৰাশ হৈছোঁ। আপোনাৰ দয়া আৰু মৰম ৰ অনুগ্ৰহৰ বাবে অৱশ্যে আপোনাৰ শলাগ লোৱা একান্ত উচিত আছিল, কিন্তু প্ৰাণৰ উচাটনি নাপালেনো ঘপৰাই উঠি কেনেকৈ "হেঃ হেঃ হেঃ" বুলি ছেক হেণ্ড কৰোঁ, তাতে বয়সৰ গুণতো অলপ ছেনিলিটি বা দুৰ্ব্বলতা আহিছে—ৰাতি পুৱাৰ গোসাঁইপূজা এতিয়া আৰু ৰান্ধনী বাপুটিৰ হাতত এৰি দিছোঁ, তেওঁ আখাৰ তলত জালকুৰা সুমাই দি টিলিঙা অভাৱে মুখবাদ্য কৰি শিৱপূজা সমাপন কৰি আছে,—সেই কাৰণেই নেকি, আয়ৰ মুদা মৰিছে। মই ইমানকৈ কওঁ কাপোৰখন সলাই গোসাঁই ঘৰত সোমাবলৈ, তেওঁ পিছে লিগিৰীজনীৰ লগত by arrangement কেতিয়া চাকি ধূপ লগাই আছে মই গমকে নাপাওঁ। অৱশ্যে এয়ে মোৰ হতাশ হোৱাৰ কাৰণ নহয়। এইবোৰ মনৰ দুখতে অবান্তৰ কথা হে ওলাইছে। আপুনি অৱশ্যে মানুহ ভাল, নহলে মোক ইমানখিনি প্ৰশ্ৰয় নিদিলেহেঁতেন, কিন্তু নাই, মোৰ প্ৰাণৰ আৰু পৰালি পৰিল। মোৰ প্ৰথমখন চিঠিতে মোৰ মনৰ কথা আপোনাৰ আগত বেকত কৰিছোঁ, দুনাই কোৱাৰ আৱশ্যক নাই। সহজে মোৰ নামটো সাহিত্য-ক্ষেত্ৰত ফাটিফুটি ওলাব, দুজন ডেকা ল'ৰা লগ লাগিলে মোৰ নামটো গাব, অসমীয়া ছাত্ৰীসকলে বাছত স্কুললৈ যাওঁতে মোৰ জীৱনীৰ কথা উলিয়াই অলপ আমোদ পাব, সাহিত্যিক মহলত যখৰীয়াৰ কনট্ৰিবিউশ্যন বুলি এটা সাময়িক টাৰ্ম ব্যৱহৃত হব, এলাপেচা লেখকসকলে কলম খামোচ মাৰি ধৰি "চল কলম···ৰ কলমৰ আৰ্হি লৈ চল"—ইত্যাদি মন্ত্ৰ আওৰাব, এইবোৰ নানা দুঃস্বপ্নই মোক ৰাইজৰ আগলৈ "হাতে খড়ি" অৱস্থাতে টানিছিল, মই চুচুক-চামাককৈ বাহিৰলৈ ওলাইছিলোঁ—আৰু অভিনেত্ৰী, অসমৰ নাটঘৰলৈ চাই, অতিমাত্ৰাই ৰংসনা, আলতাৰে ওঁঠ বোলাৱা, জেকেট মেখেলা এদিনীয়াকৈ পিন্ধোতাসকলৰ দৰে ভাবিছিলোঁ যে মোৰ গানৰ অন্তৰা বা debutৰ লগে লগে চাপৰিৰ জাউৰ উঠিব। অহোৰত ! কল্পনা কি বেপৰ্দ্দা ! মনত আৰু এটা ধাৰণা আছিল,—আপোনাৰ আগত লুকাই কি লাভ,—যে মোৰ প্ৰবন্ধ পঢ়ি অন্ততঃ বন্ধু বান্ধৱ দু চাৰিজনে আন নহলেও সৌজন্য দেখুৱাবলৈ লেখিব—"your entertaining article to hand ; hope you will continue"—আৰু মোৰ বাগিচাৰ কেৰাণীৰ দ্বাৰা মই অৱশ্যে তেওঁক P. S. অৰ্থাৎ personal secretary বুলি পৰিচয় দি লেখালোহেঁতেন "keeping little indisposed shall see to" ইত্যাদি। লগ পোৱাত কোনোবাই মোৰ আৰ্টিকেলকে (?) লক্ষ্য কৰি "আৱাহন"ৰ কথা উলিয়ালে কলোহেঁতেন—"that's an Assamese venture, needs all encouragement হেঃ হেঃ, মোৰ আকৌ আজি কালি লিখা অভ্যাস নোহোৱাই হ'ল,—মিঃ বেজবৰুৱাহঁতে জানিবা অভ্যাসটো ৰাখিলে।" মোক কিন্তু আগৰৱালা বেজবৰুৱাহঁতে নিচিনাই বেছি সম্ভৱ, আশা কৰোঁ ভিতৰুৱা চাৰ্কেলত মই এনেকৈ কোৱা তেখেতসকলে "ওনট্ মাইণ্ড্"। ভিতৰৰ কথাটো ওলোৱাত মোৰ পক্ষে সদায় পলম,—অকল মোৰেই নে আপোনালোকৰ সকলোৰে, তাকেহে ডাঠকৈ কব নোৱাৰোঁ। সিদিনাখন জাৰ্ম্মাণ কবি নে নাট্যকাৰ নে দাৰ্শনিক নে বৈজ্ঞানিক,—গেটেৰ জীৱনীৰ পাত লুটিয়াওঁতে দেখিলোঁ,—হুবহু কব নোৱাৰিম, কোৱাটো ভাল হব নে নাই তাকো কব নোৱাৰোঁ, তথাপি আকাৰে-ইঙ্গিতে

কওঁ—"দুই চাৰিজনী ছোৱালীয়ে তেওঁৰ লেখা পঢ়িয়ে তেওঁৰ প্ৰতি···" নকওঁ আৰু, এজনীয়ে গৈ তেওঁৰ চৰা ঘৰত বহি যি কলে,—it's not for ডেকা মানুহৰ ear—তেখেতৰ অবিবাহিত জীৱনৰ শেষ সঙ্গিনীও এনে এজনী এডমায়াৰাৰ নে এডমায়াৰেছ আছিল যেন লাগিল। শিল চিকুটা মোৰ উদ্দেশ্য নহয়,—ময়ো যে অন্তৰৰো অন্তৰত কেনে আশা পুহিছিলোঁ, তাৰে হে আভাস,—হওঁতে তেনেকৈ নাতিনী বয়সীয়া ছোৱালীৰ চিঠি আশা কৰা নাছিলোঁ—পৈণত অৰ্থাৎ ত্ৰিশ চল্লিশ বয়সৰ 'সাহিত্যানুৰাগিণী'—(শব্দটো ভুল হ'ল নে কি ?) কোনোবাই মোৰ খবৰ লোৱা হেঁতেন, য'ক আৰু যি হব লগা নাই, মূৰ ধাকুৰি মৰিলে কি হব,—তথাপি মোৰ আইডিয়াৰ ঢিমাটো ভঙা নাই,—মই নাম কৰাৰ চেষ্টাত আছোঁ।

ভাবিলোঁ মিঃ বৰদলৈ কাষতে আছে, তেখেতৰ নভেল কেইখনেও দেখোঁ নাম কৰিছে, মানুহজনো আলাপী—মই বোলো, কি জানি তেখেতকে to my advantage ব্যৱহাৰ কৰিব পাৰোঁ,—অৱশ্যে বাগিচাৰ আয় সকলোৰে পৰি গৈছে—তেখেতো যে অলপ উদ্বিগ্ন থাকিব সন্দেহ নাই। এদিন গৈ লগকে নাপালোঁ, বোলে কামজাৰিলৈ ওলাই গৈছে। মই মনতে ভাবিলোঁ তেনেহলে দেখোঁ extension লব পাৰিলেহেঁতেন, ইমান সোনকালে কিয় অৱসৰ ললে, এফিডেভিটৰ সহায়ত বয়স সদায় উজোৱা ভটিওৱা কৰে, তেখেতৰ পালত নো এই ফল নধৰিলেহেঁতেন নে ? অৱশ্যে তেখেতৰ আৰ্থিক অৱস্থা ভৰা যদিও মোৰ কাম নাছিল, মোৰ ভাৱৰ সোঁত সেই পিনেহে বেছিকৈ বলে। দ্বিতীয় দিন গৈ লগ ধৰিলোঁ, ভাবিলোঁ ইমানখিনি নাটক নভেল লেখা মানুহ, প্ৰত্যেক কথাতে চাগৈ টোপ ধৰি সাহিত্য নিজৰে, অন্ততঃ তেখেতৰ অঙ্কিত চিত্ৰবোৰ চৰা ঘৰত নহলেও আগচোতালতে দৌৰি ফুৰে যেন মোৰ অনুমান আছিল আৰু আন নহলেও "মিৰিজীয়ৰী"ৰ নায়িকা পানৈৰ বুকত মেটনি মৰা এটা হাফ ছাইজ এন্‌লাৰ্জড ফটো নিশ্চয় বেৰত আঁৰি থৈছে বুলি ধৰি থৈছিলোঁ। হতাশ হলোঁ। মোৰ লগত সংসাৰৰ আন কথাহে কয়, যি কামৰ বাবে গলোঁ, নামকে নুলিয়ায়। মৰ সাহ কৰি ময়ে উলিয়ালোঁ—"সকলোৰে কিতাপ টেক্সট্ বুক কৰে, আপোনাৰ নিচিনা নিপুণ···" তেখেতে মোক তাতেই থমাই কলে—"সেইটো মূৰ কামোৰণি মোৰ নাই ; টকা ঘটোঁ বুলি মই সিপিনলৈ চোৱাই নাই।" মনতে ভাবিলোঁ—"নফলিল", আৰু এবাৰ চেষ্টা কৰি কলোঁ—"তথাপি আপোনাৰ এটা নাম হৈছে।" তেখেতে তাতো এটা চতুৰ হাঁহি মাৰি কলে—"থৈ দিয়ক। মোৰ নিজৰে বৰ পুৰণি পুৰণি যেন লাগে। আশা কৰোঁ ডেকাসকলৰ চেষ্টাই উজ্জ্বলতৰ ভবিষ্যত সূচাব।" মই মনতে ভাবিলোঁ "simply cruel" ; মই ভাবিছিলোঁ, তেখেতে কব যে তেখেতে প্ৰকৃত সমাদৰ পোৱা নাই, বহুত তল খাপৰ কিতাপৰ বেছি "কাটতি" অথচ খাঁটি সাহিত্যৰ কদৰ বুজা মানুহ নাই। মোক অলপ পৰ নীৰৱ হৈ থকা দেখি তেখেতে কলে—"তেনেহলে সেই গুটিৰ sample মোলৈ সোনকাল পঠিয়াব।" মনতে ভাবিলোঁ—"সাহিত্যিকসকলে বোলে লোকৰ মনৰ ভাব বুজে। ফাঁকি,—নিজৰ ভাবকে আনত আৰোপ কৰে।"

ধাৰণা হ'ল—বেজবৰুৱা ডাঙৰীয়ায়েই ভাল মানুহ। তেখেত বহুদৰ্শী, বহুৰসিক। মোক নিশ্চয় কিবা এটা প্ৰতিষেধক তেখেতেই দিব পাৰে। তেখেত অৱশ্যে মানুহজন ভাল, কিন্তু বৰকৈ ঠাট্টা কৰে ; যদি কিবাকৈ bad graceত পৰিব লাগিল, মোৰ পিনে আইধা। অন্তৰৰ হাবিয়াস, হাজাৰে কলুষিত হ'ক—তথাপি বুকৰ তপত তেজেৰে ঢাকি ৰখাত আন নহলেও তাৰতো এটা উত্তাপ আছে আৰু সেয়েনো তেখেত মোৰ প্ৰতি বিৰূপ হলেও কোনোপধ্যে গলাব নোৱাৰে নে, তদুপৰি আৰু এটা বিশ্বাস আছিল যে তেখেত man of impulse আৰু মোৰ সৰলতাৰে এবাৰ অন্ততঃ তেখেতক পৰিচিত কৰিব পাৰিলে নিশ্চয় উপেক্ষা নকৰে। বহুত ভাবি চিন্তি এখন চিঠি পঠিয়ালোঁ,—দূৰত্বৰ কাৰণে তেখেতক লাগ বোলোঁতে লগ পোৱা অসুবিধা,—তেখেতে অতি চুম্বক ভাৱে লিখিলে "শনৈঃ, শনৈঃ।" হিয়াৰ পোৰণি নমৰিল, মনতে ভাবিলোঁ—"কলিৰ কালৰ মানুহ, আৰু নো কিমান দিন আছোঁ ? পোষ্টমৰ্টেম যশস্যাৰ ওপৰত মোৰ আস্থা নাই।"

ভাবিলোঁ, ই কথাই কথা নহয়। গুৱাহাটীত কেবাজনো ডেকা সাহিত্যিক থকা ভু পাওঁ। ডেকা মানে বিটলীয়া ডেকা নহয়, ধুতুৰিত দু এডাল ডাঢ়ি পক দিছে, কাৰো কুমৰ তলতো দু এডাল চুলি হালধীয়া পৰিছে, তথাপি আমাৰ মনত তেখেতেসকল ল'ৰা। অধ্যাপক কাকতিক মই আগৰপৰাই চিনিছিলোঁ, ল'ৰাজনৰ ওপৰত মোৰ বৰ আস্থা নাছিল, আগৰপৰাই তেওঁৰ এটা বদনাম, বৰকৈ পঢ়ে বুলি। মোৰ যদিও ছাত্ৰ সমাজৰ লগত বিশেষ ঘনিষ্ঠতা নাছিল, কিবাকৈ কিন্তু এই ডেকাজনৰ নাম আগতে কাণত পৰিছিল। বেছি পঢ়িলে originality নষ্ট হয় বুলি আশঙ্কা ৰখা ভাল। আমাৰ বেছি ভাগ ল'ৰাই এই স্পিৰিটটো 'কলচাৰ' কৰা শুনি আমি সুখ পাওঁ। তথাপি ভাবিলোঁ, অলপ নাম হৈছে যেতিয়া তেখেতক দেখা কৰি দুই এটা ভাবৰ সালসলনি হলেও ভবিষ্যতলৈ এটা প্ৰস্‌পেক্ট থাকে। বিশেষ কাৰণ, তাৰ আগতে আন এজন কৃতবিদ্য অসমীয়া ভদ্ৰলোকৰ লগত মোৰ দেখা হৈছিল, তেখেত ডাঙৰ কৰ্ম্মচাৰীও, আন ক্ষেত্ৰতো নাম আছে, নানা বিষয়ত তেখেত মোৰ সমানধৰ্ম্মাও, কিন্তু লাভ নথকা বিষয়ত তেখেতৰ নাম প্ৰকাশ কৰিবলৈ বিশেষ ভাবে মনা কৰাৰ বাবে মই নামটো এই খিনিত প্ৰকাশ কৰিব নোৱাৰিলোঁ। তেখেতে মোক কৈছিল, কথাটো সঁচা যেনও লাগিছিল,—যে "No matter what you write. Try to form a good literary circle—good in the sense, capable of advertisement. After all nothing counts as advertisement does—you see - advertisement is the order of the day" এইখিনি ভাষা প্ৰায় তেখেতৰে। কথাটো হয় যেন লাগিল। আৰু এটা বিশেষত্ব দেখিলোঁ, নিজৰ viewৰ soundness প্ৰায় নিজে লিখা প্ৰমাণলৈ আঙ্গুলিয়াই সাব্যস্থ কৰে। কথাষাৰ ভাল লাগিল। মোৰে anthorityৰ বাবে আনৰ লিখা ঘটিবলৈ ভাল নালাগে, মই যি কৈছোঁ সেয়ে এটা স্বতঃসিদ্ধ, এনে confidence থকা ভাল। চক্ৰেটিছহঁতৰ অণুবাদস্য অনুবাদ পঢ়ি মোৰ এই ধাৰণাই হয়, ইমান শতিকাৰ পিছত আমাত পুনৰ এই ভাবৰ উদ্ৰেক হোৱাত কোনোৱে যেন আমাক অযুগধৰ্ম্মা পুৰুষ নোবোলে। কাৰণ আজি কালি কেৱল borrowing, কেৱল ধাৰ কৰাৰ যুগ : ৰাজনীতিত ধাৰ, অৰ্থনীতিত ধাৰ, আন কি ব্ৰহ্মচৰ্য্যা, গাৰ্হস্থ্য, (meaning birth control) তাতো ধাৰ ; কবিসকলেতো ক'তবাত ছিলি-বাইৰণ হৈ অস্পষ্টতাত উৰি ফুৰিছেই। ইচ্ছা হয় হাস্যৰসিক শ্ৰীযুত বৰুৱা বা কলিতালৈ আৰু এটা পদ্য লিখিবলৈ খাটনি পঠিয়াওঁ। কাকতি ডাঙৰীয়াৰ তালৈ গৈ কোনো ৰকমে প্ৰবোধ নাপালোঁ, তেখেতে কেৱল তামোল খায় আৰু গুৰগুৰি টানে। গুৰগুৰিত মামুলি নাই, quite businesslike ছুটি টান, "গুৰুং, গুৰুং", পদ্যিক, সপোনত ভহা—টোৰটোৰৰৰ নিনাদ নাই। ব্যৱহাৰত অৱশ্যে মানুহজন জন অতি ভদ্ৰ ; হাঁহে, দেখাত বিনয়ী—কিন্তু চকুত এটা লুকোৱা উপহাস থাকে, মই ভাবিলোঁ—dangerous creature (creature শব্দটো ভাল ঠাইত ব্যৱহাৰ নহয় নেকি,—মোৰ ইংৰাজী মানুহৰ মুখত শুনি শিকা ইংৰাজী, আশা কৰোঁ কাকতিদেৱে শব্দটো বেঠিক হলে অফেন্স নলব)। কথাটো তেখেতৰ আগত উলিয়াবৰ সাহ নহ'ল, জানোবা কি কৰে। তেখেতেই দেখোঁ হাঁহি কলে,—অৱশ্যে মোৰ ঘৰৰ খা-খবৰ লোৱাৰ পিছত,—আপোনাৰ... পঢ়ি ভাল লাগিল। মনতে ভাবিলোঁ সঁচাই কৈছে নে—চকুলৈ চাই বিশ্বাস নহ'ল। মই তেওঁকে আঘাত কৰোঁ বুলি কলোঁ—"nothing scholastic !" এনেভাৱে কলোঁ যে স্কলাষ্টিক হোৱা যেন অকল অপমান নহয়, পাপৰ কথাও। তেখেতে কেৱল হাঁহিলে। মোৰ ধাৰণা আছিল যে সাহিত্যিকসকল sensitive আৰু অলপমান আঁচুৰিলে তেখেতসকল তাঁতনি পোৰণিত ৰক্ষা নোপোৱা হয়। মোৰ এক্‌স্‌পেৰিমেণ্টে ফল নধৰাত অলপ বিমৰিষ হৈ বিদায় ললোঁ, তেখেতৰ কিন্তু হাঁহি মাৰ নগ'ল।

মনতে ভাবিলোঁ vengeance ! প্ৰতিশোধ লব লাগে। সাহিত্যত নতুন পুৰণি নাই, জঙ্গল-মাটি যেয়ে আবাদ কৰে তাৰে নামজাৰি হোৱা উচিত,—Assam Land Manualএ ইয়াকে কয়। মণ্ডলে নহয় ভেঁটি

খায়, এছিষ্টেণ্ট চেটেলমেণ্ট অফিচাৰে—'difficult to ascertain title' বুলি settled with the presumptive possessor, because of his nearness বুলি ৰায় লেখি যমক ফাঁকি দিয়ে, ওপৰৱালাৰ চকুতো ধুলি মাৰে; কাৰণ "nearness" শব্দটোৰ বহল ব্যাখ্যা কৰিলে বহুত অপ্ৰিয় নহলেও আইনত দোষণীয় কথা ওলাই পৰে। চেটেলমেণ্ট অফিচাৰৰ অভ্যস্ত অ'ভাৰছাইট হৈ এনে ৰকমে ভুল পট্টা জাৰি হোৱাৰ সংখ্যা অৱশ্যে কম নহয়। সাহিত্য ক্ষেত্ৰতো ঠিক তেনে দেখা যায়। দুষিবা কাক, বিধিৰ বিধান! কোনোৱে বা "দহিকতৰা" লেখি নাম কৰে, কোনোৱে আকৌ "ফুল ধনু" লৈ বিহুগীত গাইও কাকো মুহিব নোৱাৰে। প্ৰাক্তন! অদৃষ্টৰ এই পৰিহাস অকল মোৰ ওপৰতেই নহয়। আদমছুমাৰি অৰ্থাৎ চেন্সাছ কৰিলে আমাৰ সংখ্যাই বেছি হব। কিন্তু I for myself, do not like to lose myself in the multitude—দুৰ্ভাগ্য হওক, তাকো অকলে বহন কৰা ভাল, like a man, like a hero!--মিলটন কবিৰ ছেটান,—সেই ঘোপমৰা অন্ধকাৰত, সেই গন্ধক পোৰা জুইৰ দুৰ্গন্ধত, পাতালৰ ঘহঘহীয়া গৰমত নিস্তেজ জ্বলা জুইৰ ওপৰত, গঙ্গাৰ মোহনাত কুম্ভীৰ ওপঙা দি ভেল-ভহা দি পৰি দাঁতেৰে যি কিৰমিৰণি দিছে, মোৰ কাণত ইমান যুগৰ ব্যৱধান ভেদ কৰি আজি আহি পশিছে। ৰাজ্য নথকা ৰাজনৈতিক ক্ষমতাৰ বাবে তোমালোকে বহুত তোলপাৰ লগাইছা, সমাজত পেৰিয়াক (পঞ্চম) ঠাই দিবলৈ যুদ্ধ কৰিছা, কিন্তু আমাৰ cause তোমালোকে take up নকৰা কিয়, আমিও তো তোমালোকৰে দেশবাসী—"Pariahs in Literature" নেলেখা কিয়, ছপাখৰচ লাগে মই দিওঁ। নাই, তালৈ কোনো নাই, মৰুভূমি হৈছে। "কাব্যেৰ উপেক্ষিতা" লেখিবলৈ হলে ঠাকুৰৰ নিচিনা কবিও ওলায়,—সি যে ফুলত ৰং-সনা কথা, কিন্তু আমাৰ, যাৰ barest necessity নাই, যাৰ অস্তিত্ব বতাহত কলাপাত লৰা দিছে, তালৈ কাৰো ভ্ৰুক্ষেপ নাই। সেয়ে কওঁ, এই দেশত একো নহব,—এই দেশত কিয়, এই জগতত একো নহব।

অকল সোঁতত গা উটুৱাই দি নিৰস্ত হোৱা মানুহ মই নহওঁ। একো নাজানিলেও মই অনিষ্ট কৰিবলৈ জানো, মানুহৰ নিন্দা কৰিবলৈ জানো। নিন্দা কৰা এটা art, ভালকৈ কৰিব জানিলে বেছ বাহবা পাওঁ। মোৰ যদিও ৰিসাৰ্চ কৰাত অৰ্থাৎ আঁতিগুৰি বিচৰাত বেছি নাম নাই, তথাপি মই প্ৰায় এটা সিদ্ধান্তত উপনীত হৈছোঁ যে সাহিত্যৰ সমালোচনা এই নিন্দাৰে এটা কলাব্যঞ্জক নাম। আমাৰ বহুত ডেকাৰ এই বিষয়ত হাত অহা দেখি সুখ পাইছোঁ, মনতে ময়ো পাঙিছোঁ, এওঁলোকৰ এজনক হাত কৰিব পাৰিলে "কেল্লা ফতে"। a search, a quest! তাতো দেখিলোঁ rivalry,—সমালোচক হিচাপেও কাৰো ওচৰত কোনোৱে হাৰ নামানে। যিমানে অৰ্থহীন কথা প্ৰত্যেকে নকওক, প্ৰত্যেকেই কয়—"মোৰ গালি পৰা প্ৰণালীহে মানুহৰ বিশেষ মনত লাগিছে" এজনে কলে—"মোৰ দৰে অসভ্য কোনোৱে হব পৰা নাই,—"এজনে কয়—"মোৰ দৰে learned ভাৱে কেইজনে লিখে?" এজনে কয় "কেপিটেল লেটাৰ মিস্‌প্লেস্‌ড কৰি মোৰ দৰে কৃতিত্ব কোনোৱে দেখুৱাব পৰা নাই।" শেষত বৰকাকতিলৈ টেলিগ্ৰাম কৰিলোঁ,—তেখেতে তাঁৰ যোগে কৈ পঠিয়ালে—"convene a conference." আমাৰ মিটিঙৰ কাৰ্য্য-ক্ৰমণিকা ব্যক্ত কৰাৰ আদেশ নাই, নহলে ই আপোনালোকৰ যেই সেই প্ৰতিষ্ঠাবান লিখকৰ মনতে ভয়ৰ বান আনিলেহেঁতেন। ৰায় চৌধাৰী ডাঙৰীয়াৰ "ভাঙ শিল ভাঙ" গীতেৰে আমাৰ সভাৰ কাৰ্য্য আৰম্ভ হয় আৰু "ধৰ ঝাড়ু ধৰ" গীতেৰে সমাপ্ত কৰা হয়। এই গান দুটা আমাৰ পক্ষে অতি প্ৰাসঙ্গিক আৰু সময়োপযোগী হৈছিল—কাৰণ "ভাঙ্ শিল ভাঙ"ত শব্দবোৰ "ট্‌ঠনট্‌ঠন"কৈ আমাৰ কাণত পৰিছিল আৰু প্ৰত্যেকটো শব্দৰ তালে তালে কল্পনা কৰিছিলোঁ যেন আপোনালোকৰ যশস্যাৰ সুদৃঢ় ভেটি থহাবলৈ একো একোটা হাতুৰীৰ কোব মাৰিছোঁ, আৰু অন্তৰাই অন্তৰাই ভাবিছিলোঁ যেন একো জলকা খহি গৈছে। শেষত "ঝাড়ু" দি আপোনালোকৰ প্ৰতিপত্তিৰ চিনচাব নোহোৱাকৈ সকলো "লিপিঙ্ক" কৰি থৈছোঁ। কেনে মনৰ বিকাৰ! ৰায় চৌধাৰী

ডাঙৰীয়া অৱশ্যে সভাত নাছিল, তেখেতে বিদেশীৰ মহোহৌ দিবলৈ গৈছিল। মিঃ চাৰ্লু, মিঃ থন্‌পৰীয়া, মিঃ নান্‌কাৰ, মিঃ ফক্ৰৱাৰী আৰু অহং নিজে কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সভ্য, with powers to co-opt. আপোনালোকৰ লগত আমাৰ বিদ্বেষ নাই, কেৱল কাৰ্য্য প্ৰণালী বিভিন্ন। আমি এতিয়াও 'open to negotiate' আৰু আত্মসন্মানৰ পক্ষে গ্লানিকৰ নহলে আপোনালোকৰ টামছ আমি ভাবি চাব পাৰোঁ। আমাক ডিক্টেটৰ নালাগে, আমি ডেমক্ৰেট আৰু এজনীয়াকৈ কোনোৱে ডাঙৰ হোৱা আমাৰ ক্ৰীডত অসিদ্ধ, অৱশ্যে নিজ নিজ ঘৰত প্ৰত্যেকৰে ডাঙৰ বোলোৱাৰ অধিকাৰ আছে আৰু সভাই তাৰ judicial notice নলয়। আমাৰ লগত সহানুভূতি থকা সকলৰ লিষ্টি সাজু হবলৈ ধৰিছে—কোনোবাই ইচ্ছা কৰিলে নাম পঠিয়াব, সভাই তেওঁলোকক "order" ত তুলিবলৈ আন নামেৰে অভিহিত কৰিব পাৰিব আৰু সাহিত্যত প্ৰতিপত্তি থকা সকললৈ কওঁ—"take heed"—কালাপাহাড় নামিছে।

ষোড়শী

—শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা বি-এ

(১)

প্ৰেয়সী আজি ষোড়শী হ'ল
আমৰ মলৰ আহিছে ধ'ল,
সুপ্ত দেৱতা উঠিছে জাগি মদিৰা ৰাগীত—
উছলি মুছলি লাগিছে মোৰ হিয়া পদূলিত।

(২)

সোণৰ কাঠিৰ পৰশ লাগি
উঠিছে কুৱঁৰী টোপনি ভাগি
আউলি-বাউলী কেশ, ভুৱনমোহিনী বেশ
মধু মাহ, মধু ঋতু,—দুখ নিশা হ'ল শেষ॥

(৩)

কোন দেৱতাই আহি
বজাই মোহন বাঁহী
তেজ ফুঁটো ফুঁটো কৰা ৰঙা গাল দুখনিত
মনোলোভা ৰক্ত আভা কৰি দিলে সুৰঞ্জিত।

(৪)

লভি দেৱতাৰ দান
প্ৰেয়সীৰ ফুল্ল প্ৰাণ
ৰূপে, ৰসে, গন্ধে আজি ভৰপূৰ যৌৱনৰ,
—ধুপে, দীপে সুৰভিত মণিকুট মদনৰ॥

(৫)

উৎপলে খেলি ফাঁকু
বাছি ললে ওখ বুকু
শুভ্ৰ সুকোমল পাই পাহি মেলি হাঁহি ৰ'ল
যৌৱনৰ অবদান—তাতেই থিতাপি হ'ল।

(৬)

কি যে সি সৰগী ধন
পালে যাৰ দৰিশন
মুনিয়ে তপস্যা এৰি সংসাৰত দিয়ে মন
ভাগ্যবান আজি মই পাই তাৰে পৰিশন।

(৭)

মধুমযী মল্লিকাই
হাঁহি মাবি মিচিকাই
প্রিয়াব ফুলাম বেণী বান্ধি দিলে সযতনে,
সজালে হৃদয়-বাণী পুষ্পপাত্র অর্ঘ্যদানে।

(৮)

ফুলচাকি গাথি লই
খোপাত গিন্ধালোঁ মই—
মানস প্রতিমাখনি উঠিল জীবন্ত হই ;
আপোন পাহবা হলোঁ বুকত সাবটি লই।

(৯)

আহি কোন ঋনিকব
থুপি থুপি অশোকব
ফুলবছা বিছাখনি দিলে আলফুল কই ;
চিকোণী প্রিয়াই মোব দুবে তাকে গাত লই

(১০)

ওবনি আঁচল ভবা
আকাশব থুপি তবা
অথবা মুকুতা সিচা দুবি দলিচা প্রায়
চাওঁমানে ঘুবি বাব চাবণই মন যায়।

(১১)

অবিন্দে সবসীব
পদপ্রান্তে প্রেয়সীব
বতাহত ঢউ খেলি মঙ্গল আবতি কবে—
জলত লহব তুলি মনব বিষাদ হবে।

(১২)

বার্থ আজি মদনব
ফুল ধনু পঞ্চশব (১)
ষোড়শী প্রেয়সী মোব অধিকাবী হ'ল তাব
চবণ লুটিছে সউ পঞ্চবিধ উপচাব।

(১৩)

যাব এটি ইঙ্গিতত
তৃণ-তরু-জগতত
সকলোবে শিবে শিবে বলে কিনো উন্মাদনা
বাঁহীব সুবত যেনে গোকুলব ব্রজাঙ্গনা।

(১৪)

বঙা মেঘে আকাশব
সাজি দিলে বঙাঘব,
কুঞ্জে কুঞ্জে আজি মোব প্রেয়সীব প্রেমলীলা ;
ষোড়শীব শিবতেই যৌবনব জয়মালা।

(১৫)

কুলি কেতেকীয়ে মিলি
পঞ্চমত সুব তুলি
মিলন-গগনা বালে প্রেয়সীবে জয় গান
যমুনা উজাই বলে থউকিবাথউ প্রাণ।

(১৬)

ষোড়শীব সুধা ভাণ্ড
ৰূপ-মধু মকবন্দ
প্রেমময়ী প্রেয়সীব প্রেমব ভঙ্গাল লুট
আজি মোব মহাতৃপ্তি সুখ সাগবত উট।

(১) অৰবিন্দমশোকঞ্চ চুতঞ্চ নবমল্লিকা।
নীলোৎপলঞ্চ পঞ্চৈতে পঞ্চবাণস্য সাযকাঃ।

মহিলা জগত—



১। মিচেচ কমলা চেটিয়ে বম্বেল জোগ্রাফিকেল ছোচাইটিব মেম্বব নির্ব্বাচিত হৈছে। মহিলাব ভিতবত এয়েই পোন প্রথমে এই পদ পাইছে।



২। মিচেচ হ্লা বাং—ব্রহ্মদেশব নবী সভ্যব সভাপতি। ব্রহ্মদেশত নাবীজাগবণব কাবণে এওঁ বহুত চেষ্টা কবি আহিছে। বাজনীতিতো এখেতব বব ধাউতি আছে।

সংগ্রহ

* * * * * * * * * *

পণ্ডিত সকলৰ মাজত অভ্যর্থনা পাবলৈ মই অভ্যস্ত নহওঁ, এই কথা সকলোৱে জানে। যদি কলা-কাঁচত সি ভাগ্যত নটে, তেতিয়া মই বৰকৈ গৰ্ব্ব অনুভৱ কৰোঁ সঁচা; কিন্তু মই ৰব ভয় ভয়কৈ চলোঁ। মোৰ সদায় এই ভয় জানোৱা কোনোবাই ভাবে যে মই বেছি মূল্য পাইছোঁ। যি সকলে ভুলতে এটি মূল্য যি শেহত ভাবে যে বেছি দিয়া হ'ল, সেই সকলে মূল্য লোৱা জনক-কেতিয়াও ক্ষমা কৰিব নোৱাৰে। মানুহৰ পৰা বিশেষকৈ বিশ্ববিদ্যালয়ৰ পৰা সম্মান লাভ কৰিব পাৰোঁটো এটা ডাঙৰ সৌভাগ্যৰ কথা, সন্দেহ নাই। কিন্তু এই পাণ্ডিত্যৰ আধহাৰাব মাজত সঙ্কোচ-হীন বোধ কৰা মোৰ দ্বাৰে সৰু মানুহ এজনৰ পক্ষে স্বাভাবিক নহয়। জন্মৰে পৰা মই কবি। একমনেৰে কোনো উদ্দেশ্যৰ অনুসৰণ কৰিবৰ মতি-গতি মোৰ নাছিল। মোৰ ভাগ্য দেৱতাই মোৰ মনটোক অকামিলা কবি গঢ়ি তুলিছিল। জ্ঞান সংগ্ৰহ আৰু সঞ্চয় কবি মনত ছাপ দিয়া মোৰ অভ্যাস ঘটা নাই। বিশ্ববিদ্যালয়ৰ নিয়ম সম্মানো মই আজিলৈ পৰা নাই। সেই নিমিত্তে বিদ্যাৰ সকলৰ লগত সমভাব দাবী কবিবৰ অধিকাৰ মোৰ নাই।

আমি সকলোৱে জানোঁ যে আমাৰ দেশত এনে বহুত মানুহ আছে যি সকলে শাৰিৰিক আধ্যাত্মিক আভিজাত্যৰ চিন বুলি প্ৰশংসা কবে। এই কৌলিন্যধাৰী সম্প্ৰদায়ক ভগবানে অনুগ্ৰহ কৰক। মোৰ মতে সেই সকলৰ শাৰিৰ্য্য নিজে ইচ্ছা কবি ববণ কৰা নহয়, অলঙ্ঘনীয় হে। মহা যদি তেনেদৰে মোৰ বিদ্যাৰ বাৰিদ্যৰ গৌৰৱ কৰোঁ তেনেহলে আপোনালোকে মোক ক্ষমা কবিব। কিন্তু মনত্তত্ত্ব বিশ্লেষণকাৰী সকলে কব যে ই কেৱল মোৰ বিনয়ৰ বিকাৰ মাথোন। মোৰ মনত এই অহঙ্কাৰ আছে যে যি সকলে বিশ্ববিদ্যালয়ৰ উচ্চ সম্মান লাভ কবিছে, মই তেওঁলোকৰ ওচৰত এটা অসীম বিস্ময়। সৰু কালত মই যে মোৰ শিক্ষক সকলক ভাঁকি দিব পাৰিছিলোঁ তাৰ বিনিময়ে মই মোৰ অদৃষ্টক ধন্যবাদ দিছোঁ। মই যি পাৰিব এবি পলাইছিলোঁ, সেই পলাবৰ পৰাই মোৰ মনত টাৰুজীবনৰ তাঁচ গজি উঠিল। পাঠশালাৰ বন্ধাৰবা বাটেৰি নগৰ সেউজীয়া থাঁহনীৰ মাজেদি দূৰ বিশ্ৰাম লে মই যি জ্ঞান লাভ কৰিছোঁ তাৰ পৰাই মই অন্ধ সৌন্দৰ্য সন্ধান পাইছোঁ। কলিৰ আৰম্ভ, ফুলৰ আৰম্ভ, ডাঁহ আৰম্ভ আৰু জীৱনৰ আৰম্ভ—এটাই বিশাল অমূৰন্ত সৃষ্টিৰ প্ৰবাহ—এই প্ৰবাহত মোৰ মন সদায় ভাহি ফুৰিব লাগিছে।

আঁচল যি সুখ, সি ধৰাত্রাজ্ঞত। বৰ্ত্তমানৰ ওপৰত ইয়াৰ এটি অটুকুণী বিশ্বাস আৰু ভবিষ্যতলৈ আশা আছে। মানুহে সন্তান যেনে ভাব, তাত বাস্তৱতা আছে, কিন্তু সি কোনো নিশ্চিই ৰাটোৰ নহলে। শিক্ষাৰ বাঙ্গা ধৰা বাটে এদি পৃথিবীৰ পৰাক্ষ সংস্পৰ্শলৈ আনি মোৰ মনতো সেই শিশু সুলভ ভাব আছি দেখা দিছে। মোৰ মই ধৰা নাই। সেই নিমিত্তেই বোধকৰো আমাৰ দেশৰ এজোপা পণ্ডিতাভিমানী মানুহ আছে, যি সকলে চিন্তা কবে, সৃষ্টি কৰে, সেই সকলৰ মনত নহয় কিন্তু আন যি সকলে চাবিও ফালে প্ৰাচীৰৰ দাঙ্গা থাকি বিদ্যাৰ গোঁড়াগি কবে সেই সকলৰ মনত মই ৰহে সদায় খণ্ডন কাৰণ হও।

মোৰ মনৰ এই সৰল ভাবে মোক সকলো বস্তুৰ ভৰিলৈ যাবৰ অধিকাৰ দিছে। এই নিমিত্তে যি সকল ছাত্ৰক শিক্ষাৰ কলৰ ভয় পৰি চেপা যোৱা নাই সেই সকলৰ লগত মই ঘনিষ্ঠ ভাব অনুভৱ কৰোঁ। দুৰ্গম বাটৰ সকল তৰুণ যাত্ৰীয়ে সেই নিৰিহা মোক তেওঁলোকৰ লগৰীয়া বুলি ভাবে আৰু মোক ভাল পায়। সি বিদ্যালয়ৰ লগত মিল নাগালেও মেতিয়া বিশ্ববিদ্যালয়ৰ লগত মোৰ এটা সম্বন্ধ স্থাপিত হ'ল তেতিয়া মই ছাত্ৰক সকলক ইয়াক কব পোৱা যে—তেওঁলোকৰ অধিত বিদ্যা আৰু তেওঁলোকৰ মন কোমল ভাব বিনাকে যেন নষ্ট নহয়। তেওঁলোকে যেন ৰেওঁলোক আত্মবিশ্বাস আৰু মনৰ আনন্দ লোপ নকৰে। বিদ্যা উপাৰ্জ্জন কৰ্ব সৌভাগ্যৰ কথা; কিন্তু জীৱনৰ বহুবিধ সত্যক মানি লব পৰা কম ভাগ্যৰ কথা নহয়।

* * * * * * * * * *

কবি ৰবীন্দ্ৰ নাথ ঠাকুৰে কলিকতা বিশ্ববিদ্যালয়ত তেওঁক বঙলা ভাষাৰ অধ্যাপক নিযুক্ত কৰা বিষয় লৈ লক্ষ্য কবি মোৱা ১১ পৃষ্ঠাত তাৰিখে বিশ্ববিদ্যালয়ে তেওঁক অভ্যর্থনা কৰাৰ সময়ত এই বক্তৃতা দিছিল।

সম্পাদকীয়

প্ৰস্তাৱিত নতুন শাসন তন্ত্ৰত অসমৰ কানি ভাগ আৰু অসমীয়াৰ চাঞ্চল্য—

'ৰাষ্ট্ৰ ক্ৰনিকেল' কাকতত প্ৰধান মন্ত্ৰীৰ ঘোষণাৰ যি পূৰ্ণভাস প্ৰকাশ পাইছে তাত অসমৰ ভাগ্যত তল খাপৰ শাসন ব্যৱস্থাৰ উল্লেখ দেখি আমাৰ 'টাইচ আৰু অসম,' 'অসমীয়া,' 'ৰাততি' আদি সকলো কেখন কাকততে দুৰ্ণোৰ প্ৰতিবাদ কৰা হৈছে। এই আশঙ্কা অমূলক নহলে প্ৰতিবাৰৰ অৰ্থে যে গোটেই অসম জুৰি তুমুল আন্দোলন চলি তাত অকনো সন্দেহ নাই। এতিয়াও ইয়াৰ সঠিক ৰূপাৰ আহি পোৱা নাই; কিন্তু ইয়াৰ ভিতৰতে এই বিষাক কাকতৰ বাহিৰেও অসম এচোছিয়েশ্যনৰ সম্পাদকৰ ভাৰত সচিবলৈ প্ৰতিবাদ আৰু শ্ৰীহট্ট হিন্দু সভাৰ সম্পাদকৰ ৰাম গভর্ণৰলৈ আবেদনত এই প্ৰস্তাবৰ অবজ্ঞাৰে ৰেখেকি চিৰ শান্ত এই অসমীয়া জাতিৰ আত্মসম্মানত ঘাঁত দিয়া হৈছে তাৰ চিন ফুটি ওলাইছে।

কেন্দ্ৰীয় দায়িত্ব বিহীন প্ৰাদেশীক সাতন্ত্ৰ্যৰ মূল্য একো নহোৱাবে। এই হিচাপে অসমীয়াই এই প্ৰস্তাব সঁচা যিহা যি নহ'ক তাৰৈ সম্পূৰ্ণ উদাসীন হৈ থাকিব পাৰিলে ৰেতন। কিন্তু অসমীয়া আজি সচেতন। অসমীয়া ভাষিয়ে আজি ভাল দৰে উপলব্ধি কৰিব পাৰিছে—ভাৰতৰ বহু প্ৰদেশতকৈ সংখ্যাত তেওঁলোক তাকৰ হলেও ধন একোতে তেনে পিছ পৰা নহয়,ৰবং এমুঠীয়া সংখ্যাটৈ সেই সকলৰ বহুততকৈ বহু ফালেদি আগ বঢ়াছে। তেনে অৱস্থাতো অসমৰ সম্বন্ধে এনে প্ৰস্তাবে অসমীয়াৰ অন্তৰত বিষ আঘাত দিবৰ কথাই। আমিও ইয়াৰ দুৰ্ণোৰ প্ৰতিবাদ কৰিছোঁ।

লোছান সন্ধিৰ পৰিণতি—মহাযুদ্ধৰ পিছত

মহাযুদ্ধৰ সন্ধিৰ নিৰ্দ্দেশ মতে জার্ম্মানীয়ে দিব লগীয়া ক্ষতি পূৰণ আছিল ৬৬০ কোটি পাউণ্ডবো বেছি। তাৰ ভিতৰত মিত্ৰ শক্তিপুঞ্জক সোধোৱা হৈছে "ডয়েচ প্লেন" আৰু "ইয়ং প্লেন" অনুসাৰে ৫৫ কোটি ৪৮ লাখ পাউণ্ড। এই প্লেন দুটাৰ "ডয়েচ প্লেন হৈছে :—১৯২৪ খৃষ্টাব্দত জার্ম্মানীৰ পৰা বছবেকীয়া কিস্তিত ক্ষতি পূৰণ আদায় কৰি তাক মিত্ৰ শক্তিৰ মাজত ভগাই লবৰ বন্দোবস্ত। আকৌ "ইয়ং প্লেন" হৈছে—জার্ম্মানীয়ে "ডয়েচ প্লেন" অনুসাৰে ৫ বছৰ বছবেকীয়া কিস্তি সোধাই তাৰ পিছত অপাৰগ হোৱাত পেবিচ নগৰত "ইয়ং প্লেন" প্ৰস্তুত কবে। এই প্লেন হৈছে জার্ম্মানীৰ পৰা ৫৮ বছবলৈ ক্ষতি পূৰণৰ টকা কিস্তিবন্দী হিচাপে আদায় কৰা। তাৰ ভিতৰত প্ৰথম সাতত্রিশ বছৰ বছবেকত প্ৰায় ১০ কোটি পাউণ্ডকৈ দি পিছৰ ২১ বছৰ বছবেকত ৮ কোটিকৈ দিয়াৰ বন্দোবস্ত। এই দুই বন্দোবস্ত মতে দিয়া ক্ষতি পূৰণৰ বাহিবে আগেয়ে জার্ম্মানীৰ বাজেআপ্ত সম্পত্তি, লো, কয়লা আদিৰ বাবে প্ৰায় ৩৪০ কোটি পাউণ্ড মূল্যৰ বস্তু মিত্ৰশক্তিপুঞ্জই নিছিল। এই সকলো মিলি সর্ব্বমুঠ ৩৯৫ কোটি ৪৮ লাখ পাউণ্ড শোধ দৈছে। বাকী ক্ষতিপূৰণৰ টকাৰ বাবে মিত্ৰশক্তিপুঞ্জৰ ভিতৰত ইংলণ্ড আৰু ইটালীৰ মনোভাব বহুতবিনি উদাৰ। কিন্তু তাৰ পৰা ফ্ৰান্সৰ পাব লগীয়া ২৩ কোটি পাউণ্ডৰ অলপো কমাব নোৱাৰে বুলি ফৰাচী মন্ত্ৰীয়ে খোলচা জবাব দিয়াত আৰু আন ফালে আমেৰিকাৰ প্ৰেচিডেণ্টে যুৰোপৰ শক্তিবৰ্গই লোছেনত কৰা সন্ধিৰ আগেয়ে আমেৰিকাৰ মতামত নোলোৱাত সেই সন্ধি মানিবলৈ আমেৰিকা বাধ্য নহয় বুলি প্ৰকাশ কৰাত লোছেনৰ উজোক্তা সকল হতাশ হব লগীয়া হৈছে। লোছেন সন্ধিলৈ বৃটিছৰ উসাহৰ অন্ত নাছিল। কাৰণ লোছেন সন্ধিত জার্ম্মানীক ক্ষতিপূৰণৰ পৰা বেহাই দিলে এফালে বৃটিছৰ যি ক্ষতি আন ফালে পৃথিবীৰ সকলো জাতিৰ পৰস্পৰৰ পাব লগা এবি দিলে বৃটিছে আমেৰিকাক দিব লগা টকা ক্ষতিৰ মাত্ৰাতকৈ বেছি বাহি হব পাবে।

সেই নিমিত্তে বৃটিছৰ প্ৰধান মন্ত্ৰী মিঃ মেকডোনাল্ডে বৰ আশা আৰু উৎসাহেৰে কৈছিল—জাৰ্ম্মানীৰ আৰ্থিক সুনামৰ অভাৱ পৃথিবীৰ আৰ্থিক স্থায়িত্বৰ পক্ষে বিপজ্জনক। তেওঁৰ এনে উদাৰতাৰ কাৰণ জাৰ্ম্মানীৰ প্ৰতি দৰদ নে বৃটিছ স্বাৰ্থৰ গৰজ তাকে বুজি উঠা টান। কাৰণ জাৰ্ম্মানীক শ্ৰীহীন কৰি ৰাখিবলৈ ফ্ৰান্স দৃঢ় প্ৰতিজ্ঞ। বৃটিছ যে জাৰ্ম্মানীৰ হিতাকাঙ্খী তাৰ আন চিন একো পোৱা নগলেও ফ্ৰান্সৰ সমৃদ্ধিত ইংলণ্ডৰ ইৰ্ষাৰ কাৰণ যথেষ্ট থকাই সম্ভৱ। ফ্ৰান্সৰ প্ৰতি এই মনোভাবেই জাৰ্ম্মানীৰ প্ৰতি বৃটিছৰ দৰদৰ মূল বুলি বহুতে সন্দেহ কৰে। যি কি নহ'ক জাৰ্ম্মানী লৈ এই সহানুভূতি প্ৰদৰ্শন মৌখিক হ'ক নাইবা আন্তৰিক হ'ক, সৰল হ'ক নাইবা কপট হ'ক আমেৰিকাৰ সহযোগিতা নহলে সি কাৰ্য্যকৰী হৈ উঠা সম্ভৱ নহয়। আন ফালে জাৰ্ম্মানীতো ভাব আন ধৰণৰ। সহানুভূতি নাপালে ক্ষতিপূৰণৰ দাবীৰ শেষ পৰিণতি কি হয় কোনে কব?

জাতীয় মুক্তি আৰু জাতি গঠনত ভাগ্যচক্ৰ :—

ৰজা আৰু ৰাজ্যৰ সৃষ্টিৰ গুৰিতে সৰু সৰু লুণ্ঠনকাৰীদল বুলিব পাৰি। অৰ্থাৎ আন কথাত এই বিলাক দলৰ পৰাই ৰজা আৰু ৰাজ্যৰ সূত্ৰপাত। আকৌ এনে সৰু সৰু ৰাজ্য মিলি একোখন সাম্ৰাজ্য হৈছে। এই সাম্ৰাজ্যৰ গঠনলৈ চাই বহুতে আশা কৰে—এনে এদিন আহিব যিদিনা ওৰে বিশ্ব এখন মহা সাম্ৰাজ্য আৰু গোটেই বিশ্ব-মানৱ এটা মহা জাতিত পৰিণত হব। ই সুখৰ সপোন, আকাশৰ কুসুম নহলে তেনে শুভ দিনত সকলো জাতিৰ মাজত, সকলো দেশৰ ভিতৰত বাদ-বিসম্বাদ, দন্দ খৰিয়াল গুচিব—দেশ আৰু জাতিৰ ভিতৰত হীনদেৰি লোপ পাব—সকলোৱে মনৰ আনন্দত পূৰ্ণ স্বাধীনতা ভোগ কৰিব। কব নোৱাৰি তেনে দিন কেতিয়া আহিব?

সি যি কি নহ'ক ভগা আৰু পতাই পৰম শক্তিৰ বিধান। আনত ব্যতিক্ৰম ঘটিলেও এই ঐশ্বৰিক শক্তিৰ নিয়মৰ লৰচৰ নহব। এনে বিধান মতে এদিন বহু যুদ্ধ বিগ্ৰহ, বহু যত্ন চেষ্টাৰ ফলত গ্ৰেট ব্ৰিটন আৰু আয়াৰলেণ্ড এক ৰজাৰ তলতীয়া হৈ পৰিছিল। সেই দেশৰ বুৰঞ্জী পাঠক সকলে তাক ভাল দৰে জানে। আকৌ সেই বিধি মতেই আজি কেবছৰমান আগেয়ে স্বাধীন আয়াৰলেণ্ড স্থাপিত হ'ল। সম্প্ৰতি এই দেশৰ স্বাধীনতাযজ্ঞৰ অগ্নি ঋষি ডি, ভেলেৰাৰ নেতৃত্বত ব্ৰিটেইনৰ লগত আয়াৰলেণ্ডৰ সকলো সম্বন্ধ গুচাই আয়াৰলেণ্ডক সম্পূৰ্ণৰূপে স্বাধীন কৰিবলৈ ওলাইছে। আন ফালে স্কটলেণ্ড আৰু ৱেল্‌ছ্‌ সুকীয়া ভাবে ইংলণ্ডৰ পৰা বেলেগ হবলৈ বিচাৰিছে।

বৃটিছ পাৰ্লামেণ্টত স্কটলেণ্ডৰ নিৰ্ব্বাচিত সদস্য মিঃ জে মেক্‌গভাৰ্ণে এটি প্ৰস্তাৱ পেচ কৰিছে যে স্কটলেণ্ড দেশত বেলেগ গভৰ্ণমেণ্ট প্ৰতিষ্ঠা কৰি সেই দেশক সকলো প্ৰকাৰে ইংলণ্ডৰ পৰা স্বাধীন কৰিব লাগে। এই প্ৰস্তাৱৰ বিশেষ ধাৰা বিলাক এনে—স্কটলেণ্ডৰ বাবে এটি মাত্ৰ ব্যৱস্থাপক পৰিষদৰ দ্বাৰা পৰিচালিত এটি গবৰ্ণমেণ্ট থাকিব। এই ব্যৱস্থা পৰিষদত স্কটলেণ্ডৰ ১৪৮ জন নিৰ্ব্বাচিত সদস্য থাকিব। এই গভৰ্ণমেণ্টৰ ৰাজধানী হব এডিনবাৰ্গ। প্ৰতি ৩ বছৰে একোজন স্কচ এই পৰিষদৰ সভাপতি নিৰ্ব্বাচিত হব। শাসনতন্ত্ৰৰ কোনো বিষয় মিমাংসাৰ নিমিত্তে স্কটলেণ্ডত ৬ জন সভ্যৰ দ্বাৰা গঠিত এটি চুপ্ৰিম কোৰ্ট প্ৰতিষ্ঠিত হব।

মিঃ মেক্ গভাৰ্ণৰ মতে ইংলণ্ডৰ পৰা আঁতৰিব নোৱৰিলে স্কটলেণ্ডৰ উন্নতি হব নোৱাৰে। মিঃ মেক্‌গভাৰ্ণে তেওঁৰ এই প্ৰস্তাৱৰ সমৰ্থক আৰু সহায় কাৰক ৰূপে মিঃ কেক্সটন, বুকানন, ককউড প্ৰভৃতি ৰাজনীতিক সকলক পাইছে।

ইয়াতে আমাৰ ভাবিব লগীয়া এইটোৱে যে ইংলণ্ড, আয়াৰলেণ্ড আৰু স্কটলেণ্ড আদিৰ ভিতৰত, ভাৰত আৰু ব্ৰিটেইনতকৈ পাৰ্থক্য বহুত কম। কিন্তু তথাপি সেই বিলাক জাতিয়ে ইংৰাজৰ লগত থাকি যদি উন্নতিত বাধা পায় তেন্তে ভাৰতে নে কেনেকৈ আগুৱাব পাৰিব বুলি আশা কৰিব পাৰি?

পৃথিবীৰ আদি সভ্যতাৰ পীঠভূমি এই ভাৰততো বহু শতাব্দি ধৰি স্বাধীনতা প্ৰচলনৰ পিছত কেবা শতাব্দীও ইয়াত পৰাধিনতাৰ যুগ চলিছিল। আকৌ আজি প্ৰায়

আধা শতাব্দিৰ পৰা ইয়াত যি স্বাধীনতা যুদ্ধ আৰম্ভ হৈছে কোনে কব, তাৰ শেষ কেতিয়া? কোনে জানে ভাৰতৰ পৰাধীনতাৰ অমাবস্যা আৰু কিমান বাকী আৰু স্বাধীনতাৰ পুৱাৰ সূৰুয কিমান দূৰৈত?

ইফালে ভাৰতৰে প্ৰদেশ বিলাকৰ ইখনৰ এটা অংশ সিখনত, সিখনৰ আন এটা অংশ ইখনত যোগ কৰি যি বিপাক লগাই থোৱা হৈছে তাৰো প্ৰতিক্ৰিয়া চলিছে। সিন্ধু বেলেগ হোৱাৰ সিদ্ধান্ত হৈ গৈছে। উৰিষ্যাৰো সীমা নিৰ্দ্ধাৰণ কমিটিৰ ৰিপোৰ্টৰ বিষয়ে জল্পনা কল্পনা চলিছে। আমাৰ অসমতো সীমা লৰচৰ নকৰাত চিলেটবাসী আৰু অসমীয়া দুইৰো সম্মতি মতে শ্ৰীহট্টক বঙ্গদেশলৈ আৰু পুৰণি অসমৰ (কামৰূপৰ) কোচবিহাৰ, ৰংপুৰ জলপাইগুৰী আদি জিলাক অসমৰ লগত লগ লগাই অসমৰ অঙ্গপূৰণ নকৰাত অসমীয়াক অশান্তিৰ মাত্ৰাই চঞ্চল কৰি তুলিছে। এই চঞ্চল জাতিক আকৌ অধিৰ কৰি পেলাইছে—বৃটিছে অসমক ভাৰতৰ আন প্ৰদেশৰ দৰে সমান থাপৰ প্ৰাদেশীক স্বতন্ত্ৰতা নিদিয়াৰ গুজবৰ আশঙ্কাই। অসমীয়া জাতিৰ ভাগ্যচক্ৰ কোন ফালে ঘূৰিব কব নোৱাৰিলেও জাতি নিশ্চেষ্ট হৈ ৰহি থাকিব নোৱাৰে। জাতীয় অসন্তোষ আঁতৰাবলৈ তুমুল আন্দোলন কৰিব লাগে।

ৰাষ্ট্ৰীয় অনুসন্ধান কমিটিৰ ৰিপোৰ্ট

ঘূৰণীয়া মেজমেলাৰ দ্বাৰা নিযুক্ত হোৱা আন এটি ৰাষ্ট্ৰীয় অনুসন্ধান কমিটি (States inquiry Committee) আছিল। এই কমিটিৰ ৰিপোৰ্ট প্ৰকাশ হৈছে। ৰিপোৰ্টত বহু কথাই আলোচনা কৰা হৈছে। ভাৰতৰ ভবিষ্যত শাসনতন্ত্ৰ গঠনত ষ্টেটস্ বিলালকেও এটি ডাঙৰ সমস্যাৰ সৃষ্টি কৰিছে আৰু ই আওকাণ কৰিব লগীয়া কথা নহয়। ভাৰতত ২১৫ খন ডাঙৰ আৰু ৩২৭ খন সৰু ষ্টেট আৰু জাগীৰ আছে। এই বোৰৰ প্ৰত্যেকৰে একোটি সুকীয়া বিশেষত্ব আছে আৰু কমিটীয়ে সেইবোৰৰ বিষয় নানা ৰকম মত প্ৰকাশ কৰিছে। কিন্তু সৱশেষত কমিটিয়ে এটি মত প্ৰকাশ কৰিছে যে ফেডাৰেশ্যনত যোগ দিবলৈ হলে ভাৰত গবৰ্ণমেণ্টে ষ্টেট্ বোৰৰ কিছুমান বৰঙনি এৰি দিব লাগিব। এই মত বহুতৰ পক্ষে আসোৱাহ জনক হৈছে কাৰণ চেণ্ট্ৰেল গৱৰ্ণমেণ্ট এনেই দেউলীয়া হব। কিয়নো আৰু তিনিখন নতুনকৈ গৱৰ্ণৰৰ প্ৰদেশ কৰিবলৈ কেবাটা কমিটীয়ে মত দি গৈছে আৰু তাকে কৰিবলৈ হলে চেণ্ট্ৰেল গৱৰ্ণমেণ্টৰ প্ৰায় ২৫০,০০,০০০৲ টকা খৰচ বাঢ়িব। তাৰ উপৰি ষ্টেটৰ পৰা পাব লগা বৰঙনিও যদি কিছুমান এৰি দিব লগা হয় তেন্তে দেউলীয়া গৱৰ্ণমেণ্টক আৰু দুৰৱস্থাত পেলোৱাহে হব। অৱশ্যে কমিটিয়ে এটি কথা কৈছে যে "Its recommendations are not to be taken by the states as a basis for the assertion of claims against British India or by the British India for the assertion of claims against the states" অৰ্থাৎ কমিটিয়ে কোৱা মতে ব্ৰিটিছ ভাৰতৰ ওপৰত ষ্টেটবোৰে কিবা এটা দাবি কৰি বহিব লাগে বা ব্ৰিটিছ ভাৰতে ষ্টেট বোৰৰ ওপৰত দাবি কৰিব লাগে বুলি ধৰিব নালাগে। সেইটো অৱশ্যে সঁচা। দুয়ো পক্ষই আগগুৰি ভাবি এৰা-এৰি কৰিলেহে কামত আগ বঢ়া যায়। খুটি বান্ধি থাকিলে কাম হব নোৱাৰে। বিশেষতঃ ষ্টেটবোৰে ভাবিব নালাগে যে ফিডাৰেশ্যনত যোগ দিলে তেওঁলোকৰ লোকচান হে। কিন্তু তাত তেওঁলোকৰ যথেষ্ট লাভো আছে। কাৰণ কমিটিৰ প্ৰস্তাৱ মতে কাথিয়াৰ ষ্টেটৰ লোণৰ কাৰবাৰৰ (restrictions) কৰ উঠাই দিলে বা ত্ৰিবাঙ্কুৰ আৰু কচিনৰ উপকলৰ পৰা পোৱা কৰ (customs) লাভৰ কথা নহব নে? কিন্তু তাতোকৈ লাভৰ কথা হব যে কিছুমান মিলিটাৰী গেৰাণ্টি থকা ষ্টেটক নগদ ধাৰ দিব লাগিব। গতিকে ফেডাৰেশ্যনত যোগদান ষ্টেটবোৰৰ লোকচানজনক হে হব বুলি ভাবিলে বৰ ঠিক নহব। আৰু অনুসন্ধান কমিটিৰ বৰঙনি এৰি দিব লগা প্ৰস্তাৱত হৈ দিয়াও সহজ নহব বুলি ধাৰণা হয়।

বলচেভিক ভীতিৰ ৰহস্য আৰু বলচেভি-জিম্‌ৰ জিলিঙনি—

ৰুচীয়াৰ বিপ্লৱৰ ফলত তাৰ শাসন দণ্ড জাৰৰ হাতৰ পৰা বলচেভিক সকলৰ হাতলৈ যোৱাৰ লগে লগে বলচেভিক শাসন নীতিৰ বিৰুদ্ধে দেশ বিদেশৰ

গণতন্ত্র-সমাজতন্ত্র বিৰোধী বাতৰি কাকতত বহু বিভীষিকা পূৰ্ণ কাহিনী প্ৰচাৰ হৈছিল আৰু মাজে মাজে হৈয়ে আছে। সেই বিলাকৰ প্ৰচাৰৰ ফলত বলচেভিক সম্প্ৰদায়ৰ মূল নীতি যে কি তাক আজিলৈকে ভাৰতবাসীয়ে সঠিক ভাবে জানিব পৰা নাই—যি সামান্য জানিছে সি নানা ভ্ৰমৰে পূৰ্ণ বলচেভিক পক্ষৰ বিৰুদ্ধৰ খবৰ। মুঠতে ধনীক নিধন কৰি অকল শ্ৰমিকৰ প্ৰভুত্ব, শ্ৰমিকৰ স্বাৰ্থ বজায় ৰখাই যে এই শাসনতন্ত্ৰৰ মুখ্য উদ্দেশ্য আৰু তাৰে ফলতে যে দেশত বিপ্লব, দুৰ্ভিক্ষ মহামাৰী প্ৰভৃতিৰ প্ৰাদুৰ্ভাৱ, এনে বিলাক কথা, বিশেষকৈ প্ৰতিযোগিতাৰ অভাৱত ৰুচীয়াৰ শিল্প কলা ধ্বংশৰ বট্‌লৈ আগবঢ়াৰ অমূলক আশঙ্কা হে বেছিকৈ প্ৰচাৰ হৈছে। এই বোৰ লৈ শিক্ষিত সমাজত নানা যল্পনা, নানা যুক্তি তৰ্কৰ অৱতাৰণা চলি থাকিলেও ৰুচীয়াৰ অত্যন্তৰিণ অৱস্থা সম্বন্ধে সকলোৱে আন্ধাৰত পৰি আছিল।

সম্প্ৰতি বৃটিছ মন্ত্ৰী লৰ্ড গচফিল্ড আৰু তেওঁৰ পত্নী মিচেচ ৱেবে ৰুচীয়াৰ প্ৰায় চাৰি হাজাৰ মাইল পৰিভ্ৰমণ কৰি সেই ৰাজ্যৰ ভিতৰুৱা অৱস্থা দেখি মুগ্ধ হৈ যি মন্তব্য কৰিছে, যোৱা ৬ জুল্যাইৰ ৰয়টাৰৰ বাতৰিত তাক এনে দৰে প্ৰকাশ কৰা হৈছে—"বৰ্ত্তমাণে পৃথিবীৰ যি কোনো জাতিতকৈ ৰুচীয়াৰ আশা, উদ্যম, আৰু প্ৰানৰ প্ৰাচুৰ্য্য সৰহ। ৰুচীয়াৰ কি গভৰ্ণমেণ্ট কি জন সাধাৰণ সকলোৰে কৰ্ম্ম প্ৰৱনতা অসীম। আমি যি যি ঠাইলৈ গৈছিলোঁ সেই সকলো ঠাইতে কাৰ্য্য আৰু ভাবৰ মিল দেখি মুগ্ধ হৈ গৈছোঁ। ৰুচীয়াত অকল শিল্পৰ উন্নতি সাধন কৰিয়ে ক্ষান্ত থকা নাই, ইয়াত বিশ্বজনীন শিক্ষাৰো বিশেষ প্ৰসাৰ লাভ কৰিছে। ৰুচীয়াৰ শিল্প দ্ৰব্যৰ ক্ৰমোন্নতি সাধিত হৈছে। ইদেশত নিবনুৱা বুলি কোনো কথা নাই। এই বিলাক গ'ল ৰুচীয়াৰ অভ্যন্তৰীণ উন্নতিৰ কথা। আকৌ ইয়াৰ সামৰিক বল কেনে দৰে বৃদ্ধি পাইছে, আমেৰিকাৰ "নিউ য়ৰ্ক হেৰল্ড ট্ৰিবিউন" কাকতত ৰুচীয়াৰ সংবাদ দাতাই তাৰ বৰ্ণনা ভাল দৰে দিছে।

ৰুচীয়াৰ এনে সৰ্ব্ববিষয়ৰ উন্নতিয়ে ভালকৈ প্ৰমাণ কৰিছে—যি দেশৰ মানুহৰ তন্দ্ৰা যেতিয়া গুছে তেতিয়া সেই দেশৰ মানুহৰ আগ বঢ়াৰ লক্ষণ সকলো ফালেদি ফুটি উঠে। এসময়ৰ কুসংস্কাৰৰ আবৰ্জ্জনাত নিমজ্জিত এই জাতি বলচেভিজিমৰ পুণ্যত উদ্ধাৰৰ বাট পাই সি আজি জগতত এটা অভিনৱ আদৰ্শ স্থাপন কৰিবলৈ ওলাইছে। তাৰ এই নতুন শ্ৰী, নতুন সমৃদ্ধি আৰু নতুন আদৰ্শৰ অভিনৱত্বই হাজাৰ সংস্কাৰ বদ্ধ মনতো সত্যৰ প্ৰকৃত পোহৰ পেলাব পাৰিব বুলি আশা কৰা যায়।

অটোৱা আৰু ভাৰত—সাম্ৰাজ্যৰ ভিতৰত অৰ্থনৈতিক উন্নতি সাধনৰ উপায় উলিয়াবলৈ অটোৱা নগৰীত বৃটিশ সাম্ৰাজ্যৰ সকলো দেশৰ চিন্তাশীল প্ৰতিনিধি সকলে গোট খাই আলোচনা কৰিব ধৰিছে। সাম্ৰাজ্যৰ ভিতৰত থকা দেশ বিলাকৰ পৰস্পৰ আদান প্ৰদানৰ দ্বাৰা প্ৰত্যেকৰ বেহা বেপাৰৰ উন্নতি সাধন কৰি গোটেই সাম্ৰাজ্যক আন আন দেশতকৈ উন্নত ৰখাই ইয়াৰ প্ৰধান উদ্দেশ্য। কিন্তু ইয়াত ইংলণ্ডৰ স্বাৰ্থ সিদ্ধিৰ চেষ্টাই যে প্ৰৱল হৈ উঠিছে তাক সকলোৱে দেখিবলৈ পাইছে ইংলণ্ডৰ আন দেশৰ লগত বেহা বেপাৰৰ অৱস্থা ক্ৰমে বেয়া হৈ আহিছে আৰু তাৰ কাৰণেই মুক্ত-বাণিজ্য নীতিৰ (Free Trade policy) পৌৰহিত্য কৰিব নোৱাৰি আত্মৰক্ষাৰ কাৰণে শুল্ক প্ৰাচীৰ নিৰ্ম্মাণ কৰি (Tariff wall) নিৰাপদ গণিছে আৰু লগতে সাম্ৰাজ্যৰ দেশবোৰক কৈছে "তোমালোকেও ইংলণ্ডত বজাৰ কৰি লব লাগিব" স্পষ্ট ভাষাত কবলৈ গলে "তোমালোকে আমাৰ ফালে চালে আমিও তোমালোকৰ ফালে চাম।" বৰ্ত্তমান ইংলণ্ডৰ এয়ে হৈছে বাণিজ্য নীতি আৰু ভাৰতেও এই নীতি মতে চলিব লাগিব আৰু ইয়াত ভাৰতৰ লাভহে আছে লোকচান নাই, এয়ে তেওঁলোকৰ ধাৰণা। কথাটো উপকৰা কৈ হৈ নুই নকৰি হাতে কলমে (Facts & figures) ভাল বেয়া দেখুৱাটোৱে বেছি যুক্তি সঙ্গত হব।

আমাৰ দেখুৱাব লগা হৈছে ভাৰতৰ বাণিজ্যৰ কাৰণে ইংলণ্ডৰ কৃপাদৃষ্টি কিমানখিনি আৱশ্যক অৰ্থাত ভাৰতৰ পৰা ৰপ্তানি হোৱা বস্তু ইংলণ্ডে কিমান নিয়ে। তাকে জানিলেই বহুখিনি বুজা যাব।

কপাহ, মৰাপাট, ডালি, আটা, চাউল আৰু চাহ প্ৰধান আন্তৰ্জ্জাতিক বাণিজ্যৰ বস্তু (International trade goods)। গতিকে ইংলণ্ডই কিমানখিনি কিনে তাকে চোৱা যাওক।

১৯৩০—৩১ চনত ভাৰতৰ মুঠ ৰপ্তানিৰ ভিতৰত কপাহ শতকৰা ২১'২ আছিল। তাৰভিতৰত ইংলণ্ডে কিনিছিল মুঠে ৬'৫ আৰু জাপানে কিনিছিল ৪৫'৩ অৰ্থাৎ মুঠ ৪৬'৭ কোটি টকাৰ ভিতৰত জাপানে কিনিছিল ২১ কোটিৰ আৰু ইংলণ্ডে কিনিছিল তিনি কৌটিৰ। গতিকে ইংলণ্ডৰ কৃপাদৃষ্টি পৰিবলৈ সুবিধা দিলে ভাৰতৰ কি লাভ হব? আন ফালে তাৰ ফলত আমাৰ প্ৰধান কিনোতা জাপানক অসন্তুষ্ট কৰি চিন বা পূৰ্ব্ব আফ্ৰিকাৰ কপাহ কিনিবলৈ হে সুবিধা দিয়া হব।

১৯৩০—৩১ চনত মৰাপাট ৰপ্তানি হৈছিল ৩৪৭০০০ 'বেল' (bales) তাৰভিতৰত ইংলণ্ডে কিনিছিল শতকৰা ১৮ বাকী শতকৰা ৮২ আন দেশলৈ গৈছিল। ইয়াতো ইংলণ্ডক সুবিধা দিয়া মানে আন দেশৰ শত্ৰুহৈ ভাৰতে নিজৰ সৰ্ব্বনাশ কৰা নহব নে? এই চনতে চাউল আৰু গম (wheat) যি ৰপ্তানি হৈছিল তাৰ ভিতৰত ইংলণ্ডে চাউল মুঠে শতকৰা ৫ ভাগ কিনিছিল, গম অৱশ্যে শতকৰা ৮২ ভাগ কিনিছিল আৰু এইবিষয় ইংলণ্ডৰ ভাৰতৰ প্ৰতি কৃপাদৃষ্টি আৱশ্যক সঁচা; কিন্তু সাম্ৰাজ্যৰ ভিতৰত অষ্ট্ৰেলীয়া, কানাডা, আৰু দক্ষিণ আফ্ৰিকাতো গম (wheat) জন্মে। গতিকে প্ৰতিযোগীতাৰ কাৰণে ইংলণ্ডৰ পৰা ভাৰতে বিশেষ কি সুবিধা পাব? তদুপৰি ভাৰত গম ৰপ্তানিৰ পক্ষপাতী নহয় যি হেতু ই ভাৰতৰ প্ৰধান খাদ্য।

ইংলণ্ডে অৱশ্যে ভাৰতীয় চাহ বেছিকৈ কিনে। ১৯৩০—৩১ চনত শতকৰা ৮৪'৭ ভাগ কিনিছিল। ইয়াতেই ইংলণ্ডৰ অনুগ্ৰহ আৱশ্যক। পিছে সাম্ৰাজ্যৰ অন্তৰ্গত চিলোনেও সেই একে সুবিধাই নাপাব জানো? প্ৰতিযোগীতাৰ বাবে ভাৰতৰ বিশেষ কি সুবিধা হব?

আন আন ৰপ্তানি হোৱা বস্তুকো বাহিৰৰ দেশবোৰেই বেছি কিনে। গতিকে ইংলণ্ডৰ অনুগ্ৰহ ভাৰতৰ পক্ষে একো লাভজনক হব নোৱাৰে আৰু ভাৰতৰ ইংলণ্ডৰ প্ৰতি সুবিধা দিয়া অসমান ত্যাগত (unequal sacrifice) পৰিণত হব। দ্বিতীয়তঃ সকলো দেশে বৰ্ত্তমান নিজ নিজ শিল্পোন্নতিৰ কাৰণে শুল্ক-নীতি (protection policy) অৱলম্বন কৰিছে আৰু ভাৰতৰ পক্ষে এই নীতি অতি আৱশ্যকীয়: ইংলণ্ডক সুবিধা দিবৰ কাৰণে আন দেশৰ ওপৰত শুল্ক বঢ়াই দিবলৈ দুখীয়া ভাৰত সক্ষম নহয়। কাৰণ ভাৰতৰ মানুহৰ পক্ষে সি দুৰ্ব্বহ বোজা হব।

শেষত আৰু এটি কথা এই যে গোটেই পৃথিবীৰ ভিতৰত অৰ্থনৈতিক সাম্ৰাজ্য গঠন নকৰিলে সকলোৰে মুক্তি বহুদূৰত বুলি চিন্তাশীল অৰ্থনীতিক সকলে কব ধৰিছে। তেনে স্থলত বৃটিছ সাম্ৰাজ্যে ফালৰি কাটি গৈ নিজৰ উন্নতি কামনা কৰা চেষ্টা ফলৱতী হব নোৱাৰে আৰু জগতৰ পক্ষেও সি মঙ্গল জনক নহয়।

ভাৰতৰ শাসন তন্ত্ৰৰ ভবিষ্যত আৰু বিশ্ববিদ্যালয়ৰ মাতৃভাষাৰে শিক্ষাৰ ব্যৱস্থা

শিক্ষা আৰু শাসন তন্ত্ৰৰ সম্বন্ধ বৰ ওচৰা ওচৰি—বিশেষকৈ প্ৰজাতন্ত্ৰত। জন সাধাৰণক ভাল শিক্ষা দি তুলিব নোৱাৰিলে কোনো দেশতে প্ৰজা তন্ত্ৰ সাফল্য মণ্ডিত হব নোৱাৰে, ভাৰত বিষয়েও সেই একে কথা। প্ৰজা তন্ত্ৰ সূচনাৰ লগে লগে জন-সাধাৰণৰ শিক্ষা লৈ বিশেষ চকু দিব লাগিব। অৰ্থাৎ জনসাধাৰণে এনে শিক্ষা পাব লাগিব যাতে নিজৰ নিজৰ ভোটৰ সদ্ব্যৱহাৰ কৰিব জানে। এই সম্বন্ধে সেই দিনা মাদ্ৰাজ বিশ্ব বিদ্যালয়ৰ কনভোকেশ্যনত শিক্ষা বিভাগৰ মন্ত্ৰী আৰু মাদ্ৰাজ য়ুনিভাৰ্চিটিৰ প্ৰো-চেঞ্চেলৰ অনাৰেবল দেৱান বাহাদুৰ এচ্ কুমাৰ স্বামী ৰেডিয়ৰে কৈছিল যে "শাসন তন্ত্ৰৰ আমূল পৰিবৰ্ত্তনৰ সন্ধি ক্ষণত আমি আহি পাইছোঁ আমি আমাৰ নিজ শাসন তন্ত্ৰৰ ভাৰ পাম। পাম বুলি ব্যগ্ৰ হৈ ৰৈ আছোঁ। কিন্তু আমাৰ জীৱন আৰু নানা অনুষ্ঠানত ৰাজনৈতিক পৰিবৰ্ত্তনৰ প্ৰভাৱ বৰ ডাঙৰ। সেইবাবে আমাৰ সকলো জাতীয় অনুষ্ঠানৰ ভিতৰত আগেয়ে শিক্ষাৰ বিশেষ পৰিবৰ্ত্তন হব লাগিব—যাতেই নতুন শাসন তন্ত্ৰৰ লগত খাপ খায় "The whole

System of instruction must yeild place to new and education must be brought mare and more in to harmony with the national instinct and traditions of our people অর্থাৎ যাতে আমাৰ শিক্ষা আমাৰ জাতীয় ভাব আৰু ৰীতি-নীতিৰ লগত মিলেতাৰ বাবে গোটেই শিক্ষা পদ্ধতি সলাই লাহে লাহে নতুনকৈ গঢ়ি লাগিব। কিন্তু সেই সকলোবোৰৰ আগতে মনোযোগ দিব লাগিব জন সাধাৰণৰ শিক্ষাত।

দেৱান বাহদুৰে কোৱা তেওঁৰ শিক্ষাৰ বাহন সম্পৰ্কে দিয়া অভিমত ঠিক সময়োপযোগী হৈছে। তেওঁ কয় যে শিক্ষা মাতৃ ভাষাত হব লাগে আন ভাষাত শিক্ষা দিয়াটো কেতিয়াও সুবিধা-জনক হব নোৱাৰে। তেওঁৰ মতে—'The education in the mather tongue is a matter of most vital concern ; education means an understanding and knowlege of things and ideas rather than of wores instriction imparted through a foreign language is ant to become parrot-like cramming rather than intelligent understanding ; it exercises the memory and forces on the pupil a new vocabulary but obscures his intellect and starves his emotion ;and imagination'— অৰ্থাৎ মাতৃভাষাত শিক্ষা হোৱাটো অতি আৱশ্যকীয় বিষয়। শিক্ষা মানে কোনো বস্তু বা ভাবৰ জ্ঞান বা বুজ হোৱা। ই শব্দৰ জ্ঞান বা বুজ নহয়। বিদেশী ভাষাত শিক্ষা দিয়াটো বুদ্ধি খটাই বুজাৰ কথা নহয় ভাটৌ চবাইক মাত শিকোৱাৰ দৰেহে হয়। ই মাথোন আন এটা ভাষা শিকাত স্মৃতি শক্তিৰ পৰিশ্ৰম কৰায় কিন্তু বুদ্ধিশক্তি লোপ কৰে আৰু চিন্তা বা ভবা শক্তিক থাব নিদি তথাই মাৰে।

এই খিনি কথাৰ সত্যতা কোনেও দুই নিদিব নোৱাৰে। মাতৃ ভাষাত শিক্ষা হোৱাটো অতি আৱশ্যকীয় কথা। ইয়াৰ প্ৰৱৰ্ত্তনৰ লগে লগে সকলো ভাৱতীয় মাতৃ ভাষাৰ বিশেষ উন্নতি হব বুলি আশা কৰিব পাৰি আৰু শিকাৰো উন্নতি হব বুলি ডাঠি কৰে পাৰি। এই কথাৰ সুবতে মাইকেল ছেডলাৰেও কৈছিল যে— 'Knowlege and thought depend on the instrument of longuage and the intimates and expressive is our mather-tongue'— আমিও সেই সুবতে কওঁ নিজ ভাষাত আমাৰ হে শিক্ষা হ লাগে। কাৰণ সকলোফালে ইয়াৰ আৱশ্যকতা অনুভব কৰা যায়। তাৰ দ্বাৰা এফালে যেনেকৈ শিক্ষা সহজ সাধ্য হ আনফালে তেনেকৈ ভাষাও চহকী হয়।

৫২৫৮/অ:

সমালোচনা

সাহিত্যৰ সাজ—শ্ৰীযুত যোগাপতি দেৱশৰ্ম্মা বি-এল প্ৰণীত। পাঠশালাৰ (কামৰূপ) দেৱশৰ্ম্মা এজেন্সিৰ পৰা বি. দেৱশৰ্ম্মাৰ দ্বাৰা প্ৰকাশিত। বেচ ॥ । কিতাপখন প্ৰথমতে প্ৰকাশ হয় ইং ১৯২৬ চনত।

এইখন এখন অসমীয়া অলঙ্কাৰ শাস্ত্ৰ। এনে এখন কিতাপৰ বহুদিনৰ পৰা অতি আৱশ্যক আছিল, আৰু ইমানখিনি পৰিশ্ৰম কবি সৰ্ব্ব প্ৰথমে শৰ্ম্মাদেৱে বচনা কবাত তেখেত সকলোবে ধন্যবাদৰ পাত্ৰ। অসমীয়া ভাষা বা সাহিত্যত যে ইমানবোৰ বচন ভঙ্গী বা rhetorical figure প্ৰচলন আছে, সাধাৰণতে তেনে অনুমান কৰা কঠিন। সকলোবোৰ উপমা, অলঙ্কাৰকে উপযুক্ত উদাহৰণ দি বুজাই দিয়াত কিতাপখন বৰ সুখপাঠ্য হৈছে। বিদ্যালয়ৰ, বিশেষকৈ ওখ খাপৰ ছাত্ৰ সকলৰ এনেৰ কিতাপৰ লগত পৰিচয় থকা বাঞ্ছনীয়।

১৩নং বৃন্দাবন মল্লিক লেন কামৰূপ প্ৰেছত শ্ৰীঅপূৰ্ব্ব কুমাৰ ভূয়া দ্বাৰা মুদ্রিত, ডাঃ শ্ৰীননীনাথ শৰ্ম্মা দ্বাৰা প্ৰকাশিত।

৫২৫৯/অ:
১০. ৬. ৯৯



গোধূলি পৰত (চাহাবাত)

ছুলেন আৰ হাঁহিৰা প্ৰেছে মুদ্রিত।

ASAM SAHITYA SABHA

৫২৫৯/অ:



৩য় বছৰ
১১শ সংখ্যা

আৱাহন

ভাদ
১৮৫৪ শক

দুইজনা মহাপুৰুষে প্ৰচাৰ কৰা ভক্তিতত্ত্ব

—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা

মহাপুৰুষ শ্ৰীমাধৱদেৱে ঘোষাত লেখিছে,—

"শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তৰ্ক ভেদি,
প্ৰচাৰিলা কৃষ্ণত ভকতি।"

মাধৱদেৱে নিজেও ৰচনীতৰ ভণিতাত কৈছে ;—

"ভকতি সমান বলী নাহি নাহি আৰ।
কহয় মাধৱ গতি নন্দৰ কুমাৰ॥"

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱৰ প্ৰচাৰিত ধৰ্ম্ম ভক্তি-ধৰ্ম্ম ; ৯ বিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্ত্তন ভক্তিৰ শ্ৰেষ্ঠত্বকে প্ৰাধান্য দিছে, কাৰণ সি কলিৰ ধৰ্ম্ম আৰু অনায়াসসিদ্ধ। কলিত মানুহ অল্পায়ু, অল্পপ্ৰাণ, অন্নগত-প্ৰাণ। ইয়ৰ কষ্টজনক আন ধৰ্ম্মক ধৰি কলিত মানুহে সহজে তৰিব নোৱাৰে। শ্ৰীশঙ্কৰদেৱে কৈছে—

"কলিৰ ধৰ্ম্ম হৰিনাম জান।
পাপীৰ নিস্তাৰ নিদিবা কাণ॥"

অপ্ৰয়াসে অৱলম্বন কৰিব পৰা এনে ধৰ্ম্ম কলিৰ ধৰ্ম্ম। সেই দেখি

"কলিসে শ্ৰেষ্ঠ চাৰি যুগ মাজে।
প্ৰশংসে কলিক জ্ঞানী সমাজে॥"

এইবাবেই কলিত নৱতনু পাবলৈ আন নালাগে ব্ৰহ্মায়ো প্ৰাৰ্থনা কৰিছিল।

খৃষ্টান ধৰ্ম্ম ভক্তিৰ ধৰ্ম্ম। নিৰাকাৰবাদী ব্ৰাহ্মধৰ্ম্মও ভক্তিৰ ধৰ্ম্ম। ব্ৰাহ্ম ভক্তই দিনে ৰাতিয়ে ঈশ্বৰৰ নাম গুণ গাই উপাসনা কৰে, সুমধুৰ ব্ৰহ্মসঙ্গীত গান কৰি তেওঁৰ স্তুতি কৰে, আৰু তেওঁৰ চৰণত আত্মনিবেদন কৰে। ৰামকৃষ্ণ পৰমহংসদেৱে এই কথা ব্ৰাহ্মসকলক বাৰে বাৰে কৈছিল, আৰু ব্ৰাহ্মসমাজলৈ গৈ উপাসনা আৰু সঙ্কীৰ্ত্তনত আনন্দেৰে যোগ দিছিল। তেওঁ ব্ৰাহ্মভক্ত সকলক কৈছিল—

"কলিযুগে ভক্তিযোগ, ভগবানের নামগুণগান, আর প্রার্থনা। **ভক্তিযোগই যুগধর্ম্ম**। তোমাদেরও ভক্তি-যোগ, তোমরা হরিনাম কর, মায়ের নাম গুণগান কর, তোমরা ধন্য। তোমাদের ভাবটী বেশ। বেদান্তবাদীদের মত তোমরা জগৎকে স্বপ্নবৎ বলো না। ওরূপ ব্রহ্মজ্ঞানী তোমরা নও, তোমরা ভক্ত। তোমরা ঈশ্বরকে ব্যক্তি (Person) বলো, এও বেশ। তোমরা ভক্ত। ব্যাকুল হয়ে ডাক্‌লে তাঁকে অবশ্য পাবে।" (কথামৃত)

ঈশ্বৰ বিষ্ণু সৰ্ব্বভূততে আছে, কিন্তু ভক্তৰ হৃদয়ত তেওঁ বিশেষৰূপে আছে। ঘোষা শাস্ত্ৰৰ প্ৰথম চাৰিটি ঘোষাৰ চতুৰ্থ টিতে এই কথাকে কৈছে। এইদেখিয়ে এইটি লাখ কথাৰ ভিতৰত ঘাই কথা।

"একান্ত ভকত সৱে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত॥"
"নাৰদত বিষ্ণু আছন্ত কই।
বৈকুণ্ঠত মই নাথাকোঁ ৰই॥
যোগীৰো হিয়া এৰি সমুদায়।
থাকোঁ ভকতৰ কীৰ্ত্তন চাই॥" (কীৰ্ত্তন)

পৰমহংসদেৱে এই কথাটো অতি উজুকৈ ঘৰুৱা উদাহৰণেৰে এইদৰে বুজাই দিছিল :—

"যেমন, কোন জমিদার তার জমিদারির সকল স্থানেই থাকতে পারে। কিন্তু তিনি অমুক বৈঠকখানায় প্রায়ই থাকেন, এই লোকে বলে। ভক্তের হৃদয় ভগবানের বৈঠকখানা।"

জ্ঞানীয়ে যাক ব্ৰহ্ম বোলে, মুমুক্ষু যোগীয়ে তেওঁকেই আত্মা বোলে, আৰু ভক্তই তেওঁকেই ভগৱন্ত বোলে। যোগীয়ে যেতিয়া অবিদ্যাজনিত সুখত অতিশয় বিৰক্ত হৈ মাথোন আত্মাতেহে ৰমণ কৰিব পৰা হয়, তেতিয়াহে তেওঁ বাঞ্ছিত ফল লাভ কৰে। ব্ৰহ্মজ্ঞানীৰ ধাৰণা, ব্ৰহ্ম সত্য, জগৎ মিথ্যা। নাম, ৰূপ এইবোৰ স্বপ্নবৎ আৰু ব্ৰহ্ম অনিৰ্ব্বচনীয়। যেতিয়া এই ভাবত মগ্ন হৈ ব্ৰহ্মজ্ঞানীয়ে সমস্ত জগৎ বাসুদেৱময় দেখে, তেতিয়া তেওঁৰ ফল লাভ। কিন্তু ভক্তৰ ভাব ;—হে ভগৱন্ত! তুমি প্ৰভু, মই তোমাৰ দাস, তুমি মোৰ পিতা মাতা, মই তোমাৰ সন্তান, তুমি পূৰ্ণ, মই তোমাৰ অংশ। ভক্তই এনেকৈ কব নোখোজে যে ময়ে ব্ৰহ্ম। মুক্ত ভক্ত নাৰদে দ্বাৰকাত শ্ৰীকৃষ্ণক কৈছিল--

"জানিয়ো প্ৰভু মই মুখ্য দাস।
কৰিয়া তোমাৰ যশ প্ৰকাশ॥
তিনিয়ো লোকে ফুৰোঁ বীণা বাই।
তোমাৰ পবিত্ৰ চৰিত্ৰ গাই॥" (শঙ্কৰদেৱ)

বেদস্তুতিত ;—

"তোমাৰে সে অংশ আমি যত জীৱ জাক।
তোমাৰ মায়ায়ে প্ৰভু বান্ধিলে আমাক॥"
(শঙ্কৰদেৱ)

কলিত জ্ঞানযোগ কৰ্ম্মযোগত সিদ্ধি লাভ কৰা বৰ কঠিন। কলিত ভক্তিযোগেই এক মাথোন প্ৰশস্ত উপায়।

ৰামকৃষ্ণ পৰমহংসদেৱে কৈছিল :—

"বিচার পথেও তাঁকে পাওয়া যায়। একেই জ্ঞানযোগ বলে। বিচারপথ বড় কঠিন।"

আৰু কৈছিল :—

"বিচার করোনা। তাঁকে জান্‌তে কে পারবে? আমি জানি, আমি কিছুই জানিনা। আমি জান্‌বার চেষ্টাও করিনা। আমি কেবল মা বলে ডাকি। মা যা করেন। তাঁর ইচ্ছা হয় জানাবেন, না ইচ্ছা হয় নাইবা জানাবেন। ছোট ছেলে মাকে চায়। মার কত ঐশ্বর্য্য সে জানে না, জান্‌তে চায়না। সে জানে আমার মা আছে, আমার ভাবনা কি?"

এটা ব্ৰহ্মসঙ্গীত আছে, অতি সুমধুৰ :—

"সত্য মঙ্গল প্ৰেমময় তুমি, ধ্ৰুবজ্যোতি তুমি অন্ধকারে
তুমি সদা যার হৃদে বিরাজো, সব দুঃখ জ্বালা সেই পাসরে।
তোমারি জ্ঞানে, তোমারি ধ্যানে, তব নামে কত মাধুরী,
যেই ভকত সেই জানে, **তুমি জানাও যারে সেই জানে**।"

উপনিষদত লেখিছে—

নৈব বাচা ন মনসা প্ৰাপ্তুং শক্যো ন চক্ষুষা।
অস্তীতি ব্ৰুবতোঽন্যত্ৰ কথং তদুপলভ্যতে॥

অৰ্থাৎ ব্ৰহ্ম বাক্যৰ দ্বাৰাই, মনৰ দ্বাৰাই অথবা চকুৰ দ্বাৰাই কোনেও কেতিয়াও পাব নোৱাৰে। যি কয় যে ব্ৰহ্ম আছে, তাৰ বাহিৰে আনে কেনেকৈ উপলব্ধি কৰিব?

ভকতৰ ভক্তি ভাগৱতী ভক্তি। এই ভক্তিত ভকতে ঈশ্বৰত ভকতিৰ বাহিৰে আন একো কামনা নকৰে। মনেৰেও কোনো বিষয়ক কামনা নকৰে। সকলোকে বিষ্ণু-বুদ্ধি কৰি নমস্কাৰ কৰে। পৰধৰ্ম্মক আৰু পৰৰ উপাস্য দেৱ দেৱীক নিন্দা নকৰে, বৰং সেই দেৱ-দেৱীসকলক বিষ্ণুৰ অংশ বুলি মান্য সৎকাৰ কৰে। তেওঁলোক মুক্তিত নিস্পৃহ; কাৰণ সেৱাৰ আনন্দ-সুখ মুক্তিত নাই; অথচ মুকুতি তেওঁলোকৰ অনায়াসলব্ধ।

"মুকুতিৰ অৰ্থে ভিন্ন নলাগে যতন।
"মিলিবে মুকুতি ভকতিৰ প্ৰসাদত॥"
"বিনা যত্নে জীৱন্তে মুকুতি পাৱে নৰে॥"
(ৰত্নাৱলী)

ভকতে ভকতিৰ বিৰোধী বুলি সাংযুজ্য মুক্তিকো নিবিচাৰে। ভকতে সকলো কামনা পৰিত্যাগ কৰি যি কৰ্ম্ম বা যত কিছু চেষ্টা কৰে, সেইবোৰ নিষ্কাম ভাৱে কৰি তাৰ ফল ঈশ্বৰত অৰ্পণ কৰি থয়। তেওঁলোকে অন্যো-অন্যে এক প্ৰাণ হৈ ঈশ্বৰৰ গুণনাম শ্ৰৱণ-কীৰ্ত্তন কৰে। কিন্তু ভকতে বাঞ্ছা নকৰিলেও ভক্তিৰ মহাবলত মহা ভোগবোৰ পায় যদিও, ভকতৰ ভক্তিত হে অনুৰাগ; সেই বোৰত নহয়।

"দিব্য ভোগ যতেক আপুনি লৱে লাগ।
বৈষ্ণৱ বলিৰ তাত নাহি অনুৰাগ॥" (কীৰ্ত্তন)

এতেকে :—

"মুকতিত কৰি ভকতি গৰিষ্ঠ
এতেকে জানা সৰ্ব্বথা।
ভকতিৰ আগে বিষয়ৰ সুখ
তুচ্ছ হৈবে কোন কথা॥"
"অপাৰ আনন্দ ৰস ৰাম নাম
মুখত থাকে যাহাৰ।
মুকুতি সুখক থৱে পাশ কৰি
আন সুখ কোন ছাৰ॥ (ঘোষা)

ধন, মান, দেহাদিৰ সুখ কামনাত মজি থাকি নিজক সাধু বা মহন্ত বোলোতাসকল সাধু মহন্ত নহয়।

"কদাচিতো শাস্ত্ৰে তাক নোবোলে মহন্ত॥
বিষয়ৰ ভোগক এৰিয়া যিটো জন।
পৰম শ্ৰদ্ধায়ে ভজে কৃষ্ণৰ চৰণ॥
তাকেসে বোলয় সাধু লৈয়োক প্ৰমাণ॥"

সেই দেখি মহাপুৰুষে ঘোষাত খেৰণিয়ে বননিয়ে গুৰুৰ বাহুল্য দেখি দুখ কৰি লেখিছিল,—

"হৰি হৰি হৰি কিনো ভৈল ইটো
কৃষ্ণৰ মায়াৰ বল।
হৰি ভকতিৰ পথত কপট
পাতিলেক অমঙ্গল॥"

প্ৰহ্লাদে সেই দেখি কৈছিল,—

"আপনি বিষয়ী হুয়া যিটো নৰে
বিষয়ীক গুৰু মানে।
যেন অন্ধলাক অন্ধে উপদেশে,
বিষ্ণুক সিটো নাজানে॥"

কৰ্ম্ম, কৰ্ম্ম। কৰ্ম্ম কাক কয়? ৰত্নাৱলী শাস্ত্ৰত লেখিছে—

"এহিমানে সমস্ত শাস্ত্ৰৰ তত্ত্ব মৰ্ম্ম।
হৰি তুষ্ট হন্ত যাত তাকে বুলি কৰ্ম্ম॥"

আৰু তেনে কৰ্ম্মই হৈছে হৰি ভগৱন্তৰ উপাসনা।

"তস্মিন্ প্ৰীতিস্তস্য প্ৰিয় কাৰ্য্য সাধনঞ্চ তদুপাসনমেব।"

নিজৰ সুখ সাধন আৰু ঐশ্বৰ্য্য বিভূতি বৃদ্ধিৰ অৰ্থে যি কৰ্ম্ম কৰা যায়, সেই কৰ্ম্ম বন্ধনৰ হেতু মাথোন। ঐহিক

সুখ আর স্বর্গসুখাদি পারত্রিক সুখের নিমিত্তে যি কর্ম্ম করা যায়, সেইবোর বেদবিহিত কার্য্য হলেও তার ঘারাই অখণ্ডানন্দ পরমব্রহ্মক পোরা নাযায়—যাক পালে জীবের চিরশান্তি আর চিরানন্দ লাভ হয়। এইবারেই ঘোষাত কৈছে—

"কর্ম্মত বিশ্বাস যার হিয়াত থাকন্তে হরি,
অতিশয় দূর হোন্ত তার।
দূরতে বিদূর হোন্ত তার।
অহঙ্কার থাকন্তেও সাক্ষাতে কৃষ্ণক পারে
শ্রবণ কীর্ত্তন ধর্ম্ম যার॥"

"যদিও আছন্ত হরি সমস্ত ভূতত।
তথাপি কর্ম্মীর মনে দুহিকে বেকত॥"

মুমুক্ষু যোগীয়ে অবিদ্যাজনিত সুখ পরিহার করি আরু জ্ঞানীয়ে বিদ্যা অবিদ্যাজনিত দুইকো পরিত্যাগ করি ঈশ্বরত নিরত হয়। বিদ্যা মানে তত্ত্বজ্ঞান, অবিদ্যামানে মায়া, অজ্ঞানতা, তম, মোহ, তামিস্র আরু অন্ধ তামিস্র, এই পাঁচ প্রকার অবিদ্যা।

"যাত হস্তে মতি অতি ওপজে কৃষ্ণত
তাকেসে বোলয় বিদ্যা জানা সাবতর॥"

কিন্তু ভকতে বিদ্যাবো ধার নাথায়, অবিদ্যাবো ধার নাথায়, ভকতে মাথোন বিচারে কৃষ্ণর পাদ-পদ্ম-সেরা ভক্তি। রামকৃষ্ণ পরমহংসদেরে কৈছিল ;—

"আমি মার কাছে কেবল ভক্তি চেয়েছিলাম। ফুল হাতে করে মার পাদপদ্মে দিয়েছিলাম ; বলেছিলাম, মা এই নাও তোমার পাপ, এই নাও তোমার পুণ্য, আমায় শ্রদ্ধা ভক্তি দাও ; এই নাও তোমার জ্ঞান, এই নাও তোমার অজ্ঞান, আমায় শ্রদ্ধা ভক্তি দাও ; এই নাও তোমার শুচি, এই নাও তোমার অশুচি, আমায় শ্রদ্ধা ভক্তি দাও ; এই নাও তোমার ধর্ম্ম, এই নাও তোমার অধর্ম্ম, আমায় শ্রদ্ধা ভক্তি দাও।"

"দের দ্বিজ ঋবি তপ জপ যজ্ঞ দান।
যত শৌচাচার তীর্থ ব্রত মহাজ্ঞান॥
ইটো সবে বিচুরুম জানা নিষ্ঠ কবি।
কেবলে ভক্তিত মাত্র তুষ্ট হোন্ত হরি॥
আন একো গুণে কেহো কৃষ্ণক নপারে।
ভক্তিমাত্র গ্রাহ্য হরি জানিবা স্বভারে॥
নাহি ভকতিত জাতি আচার বিচার।
কৃষ্ণত ভকতি সমস্তবে অধিকার॥" (বরাহপুরাণ)

ঈশ্বর সকলোবে পক্ষে সমান যদিও, তথাপি ভেওঁ কর্ম্ম অনুসাবে, আরু প্রার্থনা অনুসারে মানুহক কৃপা করে। আরু স্বভারতে ভেওঁ ভক্তবৎসল।

"লাগে যদি পালিবে সবাকো সমভারে।
ভকতক মাত্র করা করুণা স্বভারে॥"

কিয় ? ঈশ্বর ভক্তবাঞ্ছাকল্পতরু।

"কল্পতরু বৃক্ষ যেন সবাতেসে সমান।
মাগন্তা জনক মাত্র দেয় ফলদান॥
সুখুজিলে কদাচিতো যাচি নেদে গাছে।
তেবে কোনে বৃক্ষক বিধম বুলি আছে॥
সেহিমতে ভকতর বশ্য হরি দের।
সুদৃঢ় বিশ্বাসে তাঁক নিত্যে করা সের॥"
(বরাহপুরাণ)

সেই দেখি কৈছে ;—

"ব্রহ্মা লগী মহাদেরে নপাইলা প্রসাদ হেন,
পাইলা যেন যশোদা কৃষ্ণত
ভকতে সুলভে পারে ইটো গোপীকার গুণ,
নপারে অজ্ঞানী কর্ম্মী মত॥"

ভক্তি-বিহীন জ্ঞানর ঘারাই কৃষ্ণলাভ নহয়। ভক্তিয়ে জ্ঞানর সহায় নিবিচারে ; ভক্তি নিজেই শকত। সেই দেখি ঘোষাত কৈছে,

"শবদ ব্রহ্মর পার ভৈল যিটো কৃষ্ণত ভকতি নাই।
তার মাত্র শ্রম, শ্রম মাত্র ফল, যেন বাগে বাজী গাই॥"

"নালাগে জ্ঞানর পদে পৃথক সাধন।
অদ্বয় হৈলেক ভকতিত উতপন॥"
"তপ জপ যজ্ঞ দান ব্রত সদাচার।
ধন জন গৃহ পুত্র ভার্য্যা আপোনার॥
সমস্তকে শুদ্ধভারে অর্পিব কৃষ্ণত।
ইহাকে বোলয় মহা ধর্ম্ম ভাগবত॥
আতহন্তে মাধবত উপজিবে রতি।
সমস্ত ধর্ম্মর ফল জানিবা ভকতি॥
এহি ভক্তি হেতু হৈব জ্ঞানর উদয়।
ইহাত কিঞ্চিত আর নাহিক সংশয়॥"

এজনে পরমহংসদেরক শুধিছিল ;—

"মহাশয়, ঈশ্বরক লাভ করতে গেলে, তাঁকে দর্শন করতে গেলে ভক্তি হলেই হয় ?"

পরমহংসদেরে উত্তর দিলে ;—

"হাঁ, ভক্তি ঘারাই তাঁকে দর্শন হয় ; কিন্তু পাকা ভক্তি ; প্রেমভক্তি ; রাগভক্তি চাই। সেই ভক্তি হলেই তাঁর উপর ভালবাসা এসে। যেমন ছেলের মার উপর ভালবাসা ; মার ছেলের উপর ভালবাসা ; স্ত্রীর স্বামীর উপর ভালবাসা। এ ভালবাসা এ রাগভক্তি এলে, স্ত্রী পুত্র আত্মীয় কুটুম্বের উপর যে মায়ার টান থাকে না। দয়া থাকে। সংসার বিদেশ বোধ হয় ; একটি কর্ম্মভূমি মাত্র বোধ হয়। যেমন পাড়াগাঁয়ে বাড়ী, কিন্তু কলকাতায় কর্ম্মভূমি ; কলকাতায় বাসা করে থাকতে হয়, কর্ম্ম করবার জন্য। ঈশ্বরে ভালবাসা এলে সংসারাসক্তি বিষয়বুদ্ধি একেবারে যাবে। বিষয় বুদ্ধির লেশমাত্র থাকলে তাঁকে দর্শন হয় না। দেশলায়ের কাঠী যদি ভিজে থাকে হাজার ঘসো, কোন রকমেই জ্বলবে না—কেবল একরাশ কাঠী নোকসান হয়। বিষয়াসক্ত মন ভিজে দেশলাই।"

"গোপীদের ভক্তি প্রেমভক্তি ; **অব্যভিচারিণী** ভক্তি। ব্যভিচারিণী ভক্তি কাহাকে বলে জান ? জ্ঞানমিশ্র ভক্তি। যেমন, কৃষ্ণই সব হয়েছেন। তিনিই গরুরূপ, তিনিই রাম, তিনিই শিব, তিনিই শক্তি। কিন্তু ও জ্ঞানটুকু প্রেমভক্তির সঙ্গে মিশ্রিত নাই। ঘারকায় হনুমান এসে বল্লে, 'সীতারাম দেখবো।' ঠাকুর রুক্মিণীকে বল্লে, 'তুমি সীতা হয়ে বস, তা নাহলে হনুমানের কাছে রক্ষা নাই।'

"কি রকম জান ? যেমন বাড়ীর বউ। দেওর, ভাসুর, শ্বশুর স্বামী সকলকে সেবা করে, পা ধোবার জল দেয়, গামছা দেয়, পিঁড়ে পেতে দেয়, কিন্তু এক স্বামীর সঙ্গে অন্য রকম সম্বন্ধ। এই প্রেমভক্তিতে দুটি জিনিস আছে। 'অহংতা আর মমতা।' যশোদা ভাবতেন আমি

না দেখলে গোপালকে কে দেখবে, তাহলে গোপালের অসুখ করবে ; উদ্ধব বল্লেন, 'মা তোমার কৃষ্ণ সাক্ষাৎ ভগবান, তিনি জগৎচিন্তামণি। তিনি সামান্য নন।' যশোদা বল্লেন, 'ওরে, তোদের চিন্তামণি নয়, আমার গোপাল কেমন আছে জিজ্ঞাসা করছি।—চিন্তামণি না, আমার গোপাল।' গোপীদের কি নিষ্ঠা ! মথুরায় দ্বারীকে অনেক কাকুতি-মিনতি করে সভায় ঢুকলো। দ্বারী কৃষ্ণের কাছে তাদের লয়ে গেল। কিন্তু পাগড়ী বাঁধা শ্রীকৃষ্ণকে দেখে তারা হেঁটমুখ হয়ে রইল। পরস্পর বল্‌তে লাগলো, 'এ পাগড়ী বাঁধা আবার কে ? এঁর সঙ্গে আলাপ কল্লে আমরা কি শেষে বিচারিণী হবো ! আমাদের পীতধড়া মোহন চূড়া পরা সেই প্রাণবল্লভ কোথায় ?"

পরমহংসদেরে যদিও সকলো ধর্ম্মর সমন্বয় করি তার সার এক বস্তু বাহির করি লোকশিক্ষা দিছিল, তথাপি তেওঁ কৈছিল,—"আমার ভাব কি রকম জান ? হনুমানকে একজন জিজ্ঞাসা করেছিল, আজ কি তিথি ? হনুমান বল্লে, 'আমি বার, তিথি, নক্ষত্র, এসব কিছু জানিনা ; কেবল এক রাম চিন্তা করি।' আমার ঠিক ঐ ভাব।"

ইয়াকেই বোলে হনুমন্তী কান্না। আমার শ্রীকৃষ্ণদেরব প্রচারিত বৈষ্ণব ধর্ম্মর শিকাত এই বস্তু। এনেকুরা কান্না নহলে

"কৃষ্ণ নিজ ইষ্ট দের, আত্মা, প্রিয়তম গুরু,
সুন্দর, সোদর বন্ধুজন।
কৃষ্ণ নিজ গতি মতি, কৃষ্ণত ভকতি প্রীতি,
কৃষ্ণপারে নিমজ্জোক মন॥" (ঘোষা)

এনে কৃষ্ণক পোরা নাযায়। কৃষ্ণত অব্যভিচারিণী ভক্তি হব লাগিব,—যেনেকুরা ব্রজর গোপীসকলর ভক্তি। মহাপুরুষে ঘোষাত কৈছে ঃ—

কৃষ্ণকেসে মাত্র ভজে সিটো জনে
অব্যভিচারী ভকতি।
তিনিওণ অতিক্রমি ব্রহ্মরূপ
পারে সিটো মহামতি॥"

"কলিত হরির কীর্ত্তন এরিয়া
আনমতে চাহে গতি।

যেন কুল বধু নিজস্বামী ত্যজি
ভজে গৈয়া উপপতি ॥"

অনেকে ভাবে, শ্ৰীশঙ্কৰদেৱে কিয় উপদেশ দিছিল যে—

"অন্য দেবী দেৱ নকৰিবা সেৱ,
গৃহকো নযাইবা, প্ৰসাদো নাখাইবা,
ভক্তি হৈব ব্যভিচাৰ।"

এনে উপদেশ সঙ্কীৰ্ণতা জ্ঞাপক। আমি কওঁ, কেতিয়াও নহয়। ওপৰত তুলি দিয়া ৰামকৃষ্ণ পৰমহংসদেৱৰ কথা মনত ৰাখিলেই তাৰ আচল মৰ্ম্ম বুজিব পাৰি। আন দেৱ দেৱীক অসন্মান কৰা, নিন্দা বা উপেক্ষা কৰাৰ উপদেশ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰে কেতিয়াও দিয়া নাছিল; বৰং সকলোকে বিষ্ণুৰ অংশ জানি সন্মান সৎকাৰ কৰিবলৈহে কৈছিল। কিন্তু মুক্তিদাতা এক মাথোন পৰব্ৰহ্ম শ্ৰীকৃষ্ণক হে একনিষ্ঠ ভাৱে ভৱ-সংসাৰ তৰিবৰ সেতু স্বৰূপে ধৰি থাকিবলৈ কৈছিল। বিষ্ণুৰ মহাভক্ত—

"প্ৰহ্লাদে কৰিল ত্ৰিদশক বহুমান ॥
প্ৰথমতে ব্ৰহ্মাক নমিল দৈত্যেশ্বৰ।
শঙ্কৰকো প্ৰণমিলা আত অনন্তৰ ॥
জানন্ত বিষ্ণুৰ অংশ আনো যত দেৱ।
একে থানে সবাকে কৰিল পৰি সেৱ ॥" (কীৰ্ত্তন)
"বিষ্ণুবুদ্ধি কৰি শিৰে নমে সমস্তক।"
"এতেকে সে পৰম উদাৰ বুদ্ধি যাৰ।
তাৰা সবে নকৰে ভকতি ব্যভিচাৰ ॥" (ৰত্নাৱলী)

কামৰূপৰ প্ৰাচীন শাসনাৱলী

(ওপৰঞ্চি)

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্ৰীযুত সোণাৰাম চৌধুৰী

ভট্টাচাৰ্য্যে ধৰ্ম্মপালৰ ২য় ফলিখনৰ নাম 'পুষ্পভদ্ৰা লিপি' দিছে, তাৰ বাবে একো আপত্তি নাই, কিন্তু তেওঁ যে সংযোজনীত কিছুমান 'ফেদেলি-পুৰাণ' গাইছে, তাৰ ওপৰত দুই চাৰি কথা কবলৈ বাধ্য হৈছোঁ। পুষ্পভদ্ৰা মৰানৈ উত্তৰ গুৱাহাটীৰ পৰা প্ৰায় ২ মাইল আঁতৰত ৰংমহল গাওঁত। এই মৰা নৈৰে প্ৰায় আধা মাইল দক্ষিণে আঁতৰত আঠগাওঁ বুলি এটা চুবুৰি আছে। সেই চুবুৰিৰে বালীৰাম নামে কেওটকুলীয়া মানুহ এটাই ১৯১০ খৃষ্টাব্দৰ আদিতে তাৰ বাৰীৰ তামোল-তলি খনাত এই ফলিখন পায়। ফলি পোৱা খবৰ শুনি মই ফলিখন চাবলৈ যাওঁ। সি সেই ফলিখন মোক দেখুৱায়। ফলিখনৰ ৩ ছটা এটা ডাঙৰ মোহৰত (Seal) আঙঠিৰে গঁথা আছিল। বালীৰাম এতিয়া মৰিছে। সি সেই ফলিখন ভঙাই এটা তামৰ কলহ গঢ়াই সিহঁতৰ নাম ঘৰত দিব বুলি মোক কলে। মই তেতিয়া ফলিখন ভঙাবলৈ বাৰণ কৰি, তাৰ মূল্য বাবদে কিছু আনি দিব পাৰিম বুলি কলোঁ। সি তেতিয়া ফলিখনৰ ১৫৲ টকা দাম কৰি মোক দিয়ে। মই ফলিখন ঘৰলৈ আনি ধুই-পখালি (ঘড়ি চাফ কৰা) পিতলৰ গুণাৰ বুৰুজ এপাতেৰে ফলিখনৰ মামৰ গুচাই চাফ কৰোঁ। চাফ কৰাত ধৰ্ম্মপাল নামটো ধৰিব পাৰিলোঁ। তেতিয়া

মই গুৱাহাটীৰ কমিশ্যনাৰ অফিচত কাম কৰোঁ আৰু আমাৰ প্ৰত্নতত্ত্বজ্ঞ স্বৰ্গীয় ৺হেমচন্দ্ৰ গোস্বামী কমিশ্যনাৰৰ Personal Assistant আছিল। তেখেতে ফলিখনৰ পাঠ উদ্ধাৰ কৰিব পাৰিব বুলি মই ফলিখন তেখেতৰ ওচৰলৈ আনো। গোসাই ডাঙৰীয়াই ফলিখন কেনেকৈ পোৱা গ'ল তাকে মোক সোধে। মই তেখেতক সবিশেষ সকলো কথা কওঁ আৰু বালীৰামে যে ফলিখনৰ ১৫৲ টকা দাম কৰিছিল, তাকো জনাওঁ। গোঁসায়ে তেতিয়াই ১০৲ টকা বালীৰামক দিবলৈ মোৰ হাতত দিয়ে। মই সেই দহ টকা ৰূপ বালীৰামক দিওঁগৈ। বাকী ৫৲ টকাৰ নিমিত্তে মানুহজনে ধৰিছিল, কিন্তু গোঁসাইৰ পৰা সেইখিনি উলিয়াব পৰা নগ'ল। ইমানেই এই ফলি পোৱাৰ বিবৰণ।

এই ফলি গোঁসাইৰ হাতত থকাত সেই বছৰতে শ্ৰীযুত কৈলাস চন্দ্ৰ সিংহ বিদ্যাভূষণ নামে বঙ্গালী ভদ্ৰলোক এজন গুৱাহাটীলৈ আহে। তেখেতে গোঁসাইৰ তাত এই ফলি দেখি তাৰ সাৰাংশ টুকি লৈ যায় আৰু সেই সাৰাংশকে লৈ বঙ্গীয় সাহিত্য পত্ৰিকা উনবিংশ ভাগ ১ম সংখ্যাত এটি প্ৰবন্ধ লিখে। প্ৰবন্ধৰ আৰম্ভণি খিনি এই:—

"কামৰূপাধিপতি মহাৰাজাধিৰাজ ধৰ্ম্মপাল বৰ্ম্মাৰ একখণ্ড তাম্ৰশাসন গৌহাটী নগৰীৰ অনতিদূৰে ভূগৰ্ভে প্ৰাপ্ত হওয়া গিয়াছে। ১৩১৭ বঙ্গাব্দৰ (১৯১০-১১) ফাল্গুন মাসে আমি গৌহাটী নগৰে গমন কৰি। তৎকালে গৌহাটী নিবাসী বন্ধুবৰ শ্ৰীযুক্ত হেমচন্দ্ৰ গোস্বামী (Personal Asstt. to the Commissioner) মহাশয় আমাকে এই তাম্ৰ-শাসনখানি দেখাইয়াছিলেন। এই প্ৰশস্তিৰ পাঠ ও বিবৰণ হেমবাবু এসিয়াটীক সোসাইটীৰ জৰ্ণালে প্ৰকাশ কৰিবেন বলিয়া আমাকে বলিয়াছেন। এজন্য আমি তাঁহাৰ স্থূল মৰ্ম্ম অদ্য সাহিত্য পৰিষদ্ পত্ৰিকাৰ পাঠকদিগকে উপহাৰ প্ৰদান কৰিতেছি।

"শাসনপত্ৰে লিখিত আছে যে, প্ৰাগ্‌জ্যোতিষেশ্বৰ ভগদত্তৰ বংশে ব্ৰহ্মপাল প্ৰভৃতি নৰপতি জন্মগ্ৰহণ কৰেন। সেই বংশে গোপালবৰ্ম্মা আবিৰ্ভূত হন। গোপালৰ পুত্ৰ হৰ্ষপাল বৰ্ম্মা, এই হৰ্ষপালৰ ঔৰসে ও নয়নাদেৱীৰ গৰ্ভে "শ্ৰীবাৰাহ পৰমেশ্বৰ পৰম ভট্টাৰক মহাৰাজাধিৰাজ শ্ৰীমদ্ধৰ্ম্মপালদেৱ" জন্মগ্ৰহণ কৰেন।"

এই প্ৰবন্ধ গোঁসায়েই মোক দেখুৱায়। ইয়াৰ পিছত গোঁসায়ে নিজে কি কৈছিল বা ভট্টাচাৰ্য্যে কি লিখিছিল খবৰ পোৱা নাছিলোঁ। এতিয়া ভট্টাচাৰ্য্য মহাশয়ে তেখেতৰ কিতাপৰ সংযোজনীত (২১২ পৃঃ) লিখিছে—"শাসনখানি ৺হেমচন্দ্ৰ গোস্বামী মহাশয়ের হস্তগত হইবার পরেই আমি তাঁহার সহিত এই লিপি সম্বন্ধে আলোচনা করি এবং বঙ্গানুবাদ করি। ৺গোস্বামী মহাশয় তাহা গৌহাটীস্থ সাহিত্যানুশীলনী সভায় পাঠ করেন। এবং ইহার প্রাপ্তির বিবরণ তিনিই সাধারণ্যে প্রচার করেন। ১৩২২ সালে রংপুর সাহিত্য পত্রিকার প্রবন্ধেও লিখিত হইয়াছে—ইহার আবিষ্কার সম্বন্ধে উক্ত গোস্বামী মহাশয় হইতে যেরূপ শুনিয়াছি তাহা এই। গৌহাটীর উত্তরে ব্রহ্মপুত্র নদের উত্তরকুলে পুষ্পভদ্রা নামক একটী ক্ষুদ্র নদী আছে,—হেমন্তকালে উহার গর্ভভাগ শুষ্ক হইয়া যায়। উহাতে গো-মহিষাদি চরিয়া থাকে। একদিন একটা মহিষের খুরাঘাতে মাটিতে একটুকু সামান্য গর্ত্ত হওয়াতে অঙ্গুরীয়াকার খানিকটা কিছু দেখা গেল। গোরক্ষক তাহা খুঁড়িয়া বাহির করিয়া দেখিল তিনখানি তামার পাত অঙ্গুরীয়ক দ্বারা গ্রথিত রহিয়াছে। কয়েক হাত ঘুরিয়া ইহা অবশেষে ১৩১৫ সনে আসামের প্রাচীন তথ্যানুসন্ধায়ী ৺হেমচন্দ্র গোস্বামী মহাশয়ের হস্তগত হয়। তিনি পাঠোদ্ধার করিয়া সাধারণ্যে শাসনের মর্ম্ম প্রচারিত করিবার পর রঙ্গপুর সাহিত্য পত্রিকায় ১৩২২ সালের ২য় সংখ্যায় এতৎ সম্বন্ধে একটী প্রবন্ধ মৎকর্ত্তৃক বাঙ্গালা অনুবাদসহ প্রকাশিত হইয়াছিল।"

ভট্টাচাৰ্য্যে পুথি উলিৱাৰ আগতে মোলৈ ওপৰৰ কথাখিনিৰ নকল পঠাইছিল। মই তেতিয়া সবিশেষ লিখি তেওঁক জনাইছিলোঁ আৰু লিখিছিলোঁ—গোঁসায়ে তেনেকৈ কোৱা মনে নধৰে, আৰু যদিহে কৈছিল সেই কথা ধেমালিৰ ছলত কোৱা হব পাৰে—কিন্তু তেখেতৰ সেই কথা ঠিক নহয়। ভট্টাচাৰ্য্যে মোৰ কথা (যি গোঁসাইক ফলি আনি দিছিল) অবিশ্বাস কৰি তেওঁৰ

সাহিত্য পত্ৰিকাত লিখা কথাকে বাহাল ৰাখিবলৈ শাসনাৱলীত তুলি দিছে। তেওঁৰ যদি সাহিত্য পত্ৰিকাত লিখা কথাই শিলৰ ৰেখ হয়, তেনেহলে মোৰ আৰু বালীৰামৰ কথা উল্লেখ কৰি 'সাত কুৰি' যোৰা দিয়া কথা লিখা তেওঁৰ নিচিনা পণ্ডিতৰ বিবেচনাৰ কাম হোৱা নাই।

তেওঁ তেওঁৰ সংযোজনীত লিখিছে—"৺গোস্বামী মহাশয় একটা কাল্পনিক কথা বলিয়া গিয়াছেন, ইহা কখনই সম্ভাব্য নহে। তবে গোস্বামী মহাশয় শাসনপ্ৰাপ্তিৰ পৰে স্বয়ং অনুসন্ধান কৰিয়া সেৰূপ বিবৰণ অবগত হইয়াছিলেন—তাহাই সাধাৰণ্যে প্ৰচাৰ কৰিয়াছিলেন।"

ভট্টাচাৰ্য্যৰ এটাইবিলাক কথাই সম্ভাৱনাৰ ওপৰত। ভট্টাচাৰ্য্যে তেনেকৈ শুনা বুলিহে কৈছে, কিন্তু গোঁসায়ে লিখা কৰ'বাত দেখিছিল নে নাই সেইখিনি হলে নকয়। গোঁসাইৰ যদি কিবা কথাত সন্দেহ হৈ অনুসন্ধান কৰিব লগীয়া আছিল, তাক মোক জানিব দিলেহেঁতেন। ভট্টাচাৰ্য্যে কোৱাৰ দৰে গোঁসায়ে প্ৰচাৰ কৰা মই কেতিয়াও বিশ্বাস কৰিব নোৱাৰোঁ।

ভট্টাচাৰ্য্যে আকৌ লিখিছে—"পুৰস্কাৰেৰ লোভে হয়তো বালীৰাম সোণাৰাম বাবুৰ নিকটে নিজেকেই শাসনেৰ আবিষ্কৰ্ত্তা বলিয়া খ্যাপিত কৰিয়াছিল, সেই গোৰক্ষকেৰ (কিম্বা তন্মধ্যবৰ্ত্তী অপৰেৰ) নিকট হইতে ইহা তাহাৰ হস্তগত হওয়াৰ বিষয়টা গোপন কৰিয়াছিল।"

ভট্টাচাৰ্য্যে বোধহয় জানে,—নাজানে যদি শিকি লওক,—অসমীয়াই ইমান ফাঁকতিৰ ধাৰ নাখায়। বালীৰামেই শাসন পোৱা বা আবিষ্কৰ্ত্তা। সি তাৰ বাৰীৰ যিখিনি ঠাইত ফলিখন পাইছিল, তাক মোক দেখুৱাইছিল—তাত ফলিৰ চিন পৰ্য্যন্ত পৰি থকা মই দেখিছিলোঁ। সেই ফলি কোনো 'গোৰক্ষক' বা গৰখীয়াই পাবলৈ অহা নাছিল। ভট্টাচাৰ্য্যে নিৰ্দ্দোষ, সি পুৰীলৈ যোৱা মানুহ এটাক লৈ মিছাতে ইমান টনা-আজোৰা মহাপাপ কৰিছে কিয়, বুজা নাযায়।

ভট্টাচাৰ্য্যে ইমানতো ক্ষান্ত নহৈ আকৌ লিখিছে,—"অথবা, বালীৰামেৰ প্ৰাপ্ত এই শাসনখানিই সম্ভবতঃ ধৰ্ম্মপালেৰ অপৰ (অৰ্থাৎ প্ৰথম) শাসন—যাহা (আবিষ্কাৰ স্থানেৰ কথা পৰিজ্ঞাত না হওয়াতে) শাসনপ্ৰদত্ত ভূমিৰ নামে 'শুভঙ্কৰ পাটক' নামে আখ্যাত হইয়াছে। এইৰূপ অনুমানেৰ একটি কাৰণ এই যে পুষ্পভদ্ৰা লিপি ১৩১৫ (১৯০৮।০৯ ইং সনে) ৺গোস্বামী মহাশয়েৰ হস্তগত হয়—এই (বালীৰামেৰ আবিষ্কৃত) লিপি আনুমানিক ১৯১০ ইং সনে গোস্বামী মহাশয়েৰ নিকট দেওয়া হইয়াছিল বলিয়া (আমাৰ জিজ্ঞাসাৰ উত্তৰে) সোণাৰাম বাবু জানাইয়াছেন।"

এইবাৰ ভট্টাচাৰ্য্যে ফলি পোৱাৰ সময় লৈয়ে ঘটমটি লগালে। কোন খন আগ, কোন খন পাছ ঠিক নোহোৱাত পৰিল। ভট্টাচাৰ্য্যৰ কথাৰ পৰাই দেখা যায়, দুয়োখন ফলি প্ৰায় একে সময়ৰে, কেৱল বছৰ ছমাহৰ আগ পিছ। তাৰে তেওঁ এখনৰ খবৰ পালে, আন খনৰ খবৰ নাপালে। তেওঁৰ পুষ্পভদ্ৰা লিপিৰ প্ৰবন্ধ সাহিত্য পৰিষদত ওলাল ১৩২২ (ইং ১৯১৫-১৬) চনত। ইমান দিনে গোঁসায়ে আন খনৰ (শুভঙ্কৰ পাটক নাম দিয়া খনৰ) খবৰ ভট্টাচাৰ্য্যক নিদিলে বা গোঁসায়েও ক'তো ইয়াৰ শুংসূত্ৰকে নুলিয়ালে। অৱশেষত গৈ ভট্টাচাৰ্য্যে "শুভঙ্কৰ পাটক" লিপিকে বালীৰামে পিছত ১৯১০ চনত উলিৱা প্ৰমাণ কৰিব খোজে। পুষ্পভদ্ৰাৰ কাষত বাস কৰা বালীৰামৰ ফলি। (যাক পুষ্পভদ্ৰা লিপি নাম দিছে) তাক তেওঁৰ কথা প্ৰমাণ কৰিবলৈ ১৯০৮।৯ লৈ সি বালীৰামে নোপোৱা দেখুৱাব খোজে। মই দঢ়াই কব পাৰোঁ, বালীৰামে পোৱা ফলি (যাক ভট্টাচাৰ্য্যে পুষ্পভদ্ৰা লিপি নাম দিছে) খনৰ মাথোন ১৯১০ চনত গোঁসাইৰ হাতত আছিল,—শুভঙ্কৰ পাটক লিপি তেওঁ পৰলোক হোৱাৰ অলপ আগতে পাব পাৰে। সেইহে তেওঁ তাৰ সম্বন্ধে কাকো একো কৈ যাব নোৱাৰিলে।

এইবোৰ অনৰ্থক চাউল-চোবোৱা কথা এৰিলোঁ। সৱ শেহত আমি ইয়াকে কওঁ, ভট্টাচাৰ্য্যই পাকে প্ৰকাৰে—৺গোঁসাইক, মোক, ৺বালীৰামক সকলোকে মিছাত পেলাবলৈ অনৰ্থক বাগাড়ম্বৰ কৰাত আমি বৰ ক্ষুন্ন হৈছোঁ। তেওঁৰ 'সম্ভাৱনাৰ' কথা উদ্ভাবনা মাত্ৰ। আমাৰ কথা সত্য, ইয়াৰ প্ৰমাণ দিবলৈ এতিয়াও কমিশ্যনাৰ চাহাবৰ অফিচত দুই এজন সাক্ষী ওলাব। সম্প্ৰতি সকলো কথাৰ বিচাৰৰ ভাৰ পাঠক সকলৰ ওপৰতে দি আমাৰ এই অসাৰ কথাৰ সামৰণি মাৰিলোঁ। ইতি—

তত্ত্বকথা

(২)

—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা

শ্ৰীকৃষ্ণৰ বাঁহীৰ সুমধুৰ আহ্বান শুনি যেতিয়া গোপীসকল তেওঁৰ কাষ পালেগৈ, শ্ৰীকৃষ্ণই গোপীসকলক বৰ টান পৰীক্ষাত পেলাই দিলে। সেই পৰীক্ষাৰ ৯টা প্ৰশ্ন। প্ৰশ্ন কেইটা বৰ টান। গোপীসকলৰ নিচিনা নোহোৱা আনৰ নিমিত্তে সেই প্ৰশ্নৰ উত্তৰ দি পৰীক্ষাত উত্তীৰ্ণ হোৱাটো অসম্ভৱেই। যথা :—

প্ৰথমতে শ্ৰীকৃষ্ণৰ গোপীসকলক স্বাগত সম্ভাষণ।—

স্বাগতং বো মহাভাগাঃ প্ৰিয়ং কিং কৰবানি বঃ।
ব্ৰজস্যানাময়ং কচ্চিদ্ ব্ৰূতাগমন কাৰণম্॥

(১) "কুশলে কি আইলা? কয়ো ব্ৰজৰ কল্যাণ।
প্ৰিয় কৰ্ম্ম কৰোঁ কিবা কহিয়ো নিদান॥"

(২) "দুৰ্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি।
ঐত নাথাকিবা তোৰা সব স্ত্ৰীমতি॥"

এই প্ৰশ্নৰ মৰ্ম্ম, যে গোপীসকলৰ দেহবন্ধন আছেনে নাই? একেই ঘোৰ নিশা, তাতে "ঘোৰ সত্ত্ব নিষেবিতা" অৰ্থাৎ নৃশংস প্ৰাণী থকা বন। এনে ঠাইত অবলা তিৰুতা, তেওঁলোক থকা উচিত নহয়। দেহ ৰক্ষাৰ নিমিত্তে যদি তেওঁলোকৰ ভয়-সংশয় আছে, তেন্তে তেওঁলোকে কৃষ্ণক পাব নোৱাৰে। এতেকে তেওঁলোক লৰালৰিকৈ উভতি যোৱাই ভাল।

(৩) "তোমাসাক নেদেখিয়া পিতৃমাতৃচয়।
তাসম্বাৰ মনে মহা মিলিব সংশয়॥"

এইটোৰ মৰ্ম্ম যে গোপীসকলে স্নেহবন্ধন ছিঙিব পাৰিছে নে নাই? যদি নাই ছিঙিব পৰা, তেন্তে তেওঁলোক এতিয়াই উভতি যোৱা উচিত। কাৰণ পাৰ্থিব বস্তুৰ সম্বন্ধৰ স্নেহবন্ধন থাকিলে পৰমাত্মা কৃষ্ণক পাব নোৱাৰি।

(৪) "দেখিলাহা ইটো বিকশিত বৃন্দাবন।
শশাঙ্কে ধৱল নৱ পল্লবে শোভন॥"

এই প্ৰশ্ন বা যুক্তিৰ মৰ্ম্ম এইটো পৰীক্ষা কৰা যে গোপীসকলৰ দৃষ্টি অন্তৰ্মুখী নে বহিৰ্ম্মুখী? যদি বহিৰ্ম্মুখী তেন্তে—

দৃষ্টবনং কুসুমিতং ৰাকেশকৰৰঞ্জিতম্।
যমুনানিললীলৈজত্তৰুপল্লবশোভিতম্॥

তেওঁলোকৰ এনে প্ৰাকৃতিক সৌন্দৰ্য্য দেখা হ'ল; এতেকে তেওঁলোক উভতি যোৱাই উচিত।

(৫) এই প্ৰশ্নটোৰ উদ্দেশ্য, গোপীসকলৰ কৰ্ম্মবন্ধন আছেনে নাই চোৱাটো। সেই দেখি শ্ৰীকৃষ্ণই তেওঁলোকক উপদেশ দি গৃহকৰ্ম্ম সোঁৱৰাই উভতি যাবলৈ কলে। উপদেশটো—

"উলটি ব্ৰজক যাহা কান্দে শিশুগণ।
তাসবাক প্ৰতিপালি পীয়ায়োক স্তন॥"
"ক্ৰন্দন্তি বৎসা" "পতীন্ শুশ্ৰূষ্বং"

অৰ্থাৎ ব্ৰজলৈ উভতি যোৱাঁহঁক, আৰু পলম নকৰিবা। তোমালোকৰ পতিক শুশ্ৰূষা কৰাগৈ: তোমালোকৰ গৰুৰ পোৱালি আৰু শিশুৱে কান্দিছে, শিশুক পিয়াহ দিয়াগৈ, গাইৰ গাখীৰ খিৰাই দামুৰি মেলি দি দামুৰিক গাখীৰ খাবলৈ দিয়াগৈ।

(৬) "যদিবা আমাক স্নেহে আইলা গোপীগণ।
মোক আৰে দেখিলা সিজিল প্ৰয়োজন॥"

এতেকে ঘৰলৈ উভতি যোৱাহঁক। অৱশ্যে সকলো প্ৰাণীয়েই মোক প্ৰীতি কৰে। এতেকে তোমালোকৰ মোৰ প্ৰতি প্ৰীতিও স্বাভাৱিক। যদি এনে কথাই তেন্তে তোমালোক ঘৰলৈ উভতি যোৱাই ভাল। কাৰণ

"বিদূৰত থাকি কৰে শ্ৰৱণ কীৰ্ত্তন।
বাঢ়ে মোত ভকতি নিৰ্ম্মল হোৱে মন॥
দেখন্তে শুনন্তে সদা হেলা হোৱে মতি।
জানিয়া গৃহত থাকি কৰিও ভকতি॥"

(৭) পরীক্ষার সপ্তম প্রশ্ন বা উপদেশ—

"স্বামীক শুশ্রূষা কুলস্ত্রীর মহাধর্ম্ম ॥"

"ভর্ত্তুঃ শুশ্রূষণং স্ত্রীণাং পরোধর্ম্মোহ্যমায়য়া ।"

এতেকে হে গোপীসকল! তোমালোকে জনা উচিত যে গৃহকর্ম্ম তিবোতার ধর্ম্ম। ইয়ার মর্ম্ম যে গোপীসকল ধর্ম্মবন্ধনর পরাও বিমুক্ত হৈছেনে নাই? যদি নাই হোৱা তেন্তে তেওঁলোক পতিৰ পতি ঈশ্বৰ শ্রীকৃষ্ণক পাবৰ যোগ্য হোৱা নাই। গতিকে তেওঁলোক উভতি যোৱাই ভাল।

(৮) এই পরীক্ষার এই প্রশ্নত গোপীসকলক অধর্ম্মৰ ভয় দেখুৱা হৈছে। অর্থাৎ তেওঁলোকক কোৱা হৈছে যে নিজৰ পতিত্যাগ তেওঁলোকৰ পক্ষে অধর্ম্ম।

দুঃশীলো দুর্ভগো বৃদ্ধো জড়ো রোগাধনোঽপি বা।
পতিঃ স্ত্রীভি ন হাতব্যো লোকেপ্সুভিরপাতকী।

অর্থাৎ অপাতকী পতি যদি দুঃশীল, দুর্ভগ, বৃদ্ধ, জড়, বোগী আৰু নিধন হয়, তথাপি স্ত্রীয়ে তেনেকুৱা পতি পবিত্যাগ কৰাটো ধর্ম্মসম্মত নহয়।

(৯) এই প্রশ্নত সমাজবন্ধন আৰু লোকনিন্দাৰ ভয় দেখুৱা হৈছে। বিশেষকৈ কুলস্ত্রীয়ে উপপতিৰে সৈতে সম্বন্ধ কৰা যে গর্হিত কার্য্য, এইটো বুজাই দিয়া হৈছে।

অস্বর্য্যমযশস্কর ফল্গু কৃচ্ছ্রং ভয়াবহং।
জুগুপ্সিতঞ্চ সর্ব্বত্র ঔপপত্যং কুলস্ত্রিয়াঃ ॥

অর্থাৎ কুলস্ত্রীৰ ঔপপত্য সকলো অৱস্থাতে অস্বর্য্য, অযশস্ক, তুচ্ছ, কৃচ্ছ, ভয়াবহ আৰু গর্হিত।

"উপপতি সমে ক্রীড়া গর্হিতং কর্ম্ম।"

এতেকে হে গোপীসকল! তোমালোক ঘৰলৈ উভতি যোৱাইক। এনে গর্হিত কর্ম্ম কৰিবলৈ অহাটো তোমালোকৰ উচিত নহয়।

শ্রীকৃষ্ণৰ এনে বিপ্রিয় বাণী শুনি গোপীসকল বিষণ্ণ আৰু মহা চিন্তিত হৈ পৰিল।

ইতি বিপ্রিয়ম্ আকর্ণ্য গোপ্যঃ গোবিন্দ ভাষিতম্।
বিষণ্ণা ভগ্নসঙ্কল্পা চিন্তাম্ আপুঃ দ্রুবত্যয়াম্ ॥
কৃত্বা মুখানি অব শুচঃ শ্বসনেন শুষ্যদ্-
বিম্বাধরাণি চরণেন ভুবঃ লিখন্ত্যঃ।
অশ্রৈঃ উপাত্তমসিভিঃ কুচ কুঙ্কুমানি
তস্থুর্ মুজন্ত্যঃ উকদুঃখ ভরাঃ স্ম তূষ্ণীম্ ॥

অর্থাৎ—

"কৃষ্ণৰ বিপ্রিয় বাণী শুনি গোপীগণ।
পাইলেক দুরন্ত চিন্তা বিবর্ণ বদন ॥
ওলমাইল মুখ অতি পায়া দুঃখ-ভৰ।
সঘনে নিশ্বাস কাঢ়ে শুখাইল অধৰ ॥
কুচৰ কুঙ্কুম মানে লোতকে তিতিল।
থাকিল নিচুকি মুখে বচন হৰিল ॥
চৰণে ভূমিক লেখে দেখে তমোময়।"

ওপৰৰ পদবোৰ আমি শ্রীশঙ্কৰদেৱৰ কীর্ত্তন ঘোষৰ পৰা দিছোঁ। কি সুন্দৰ পদ আৰু কি সুন্দৰ ভাঙনি! কৃষ্ণৰ বিপ্রিয় বাণী শুনি গোপীসকলৰ কেনে অৱস্থা হৈছিল, শ্রীশঙ্কৰদেৱে বৰগীত এটিবেও সেই অৱস্থা কেনেকৈ বর্ণনা কৰিছে চোৱাঁ—

"চিন্তিত গোপিনী পেখয় নৈরাশ ॥
তহু মন জামবে নয়নে ঝরে বারি।
পদনখ ক্ষেপি আখি দেখে আঙ্খিয়ারি ॥
লেপিত লোলে কুচদোয় কুঙ্কম।
তাপিত ব্রজবধু শঙ্কবে বোলে ॥"

ইয়াৰ পিছত ভগৱন্তৰ ওপৰত গোপীসকলৰ অভিমান।

"শোকক তস্তাযা গোপীসকলে।
মলচিলে মুখ আঁখি অঞ্চলে ॥
গদ গদ মাত মুখে নোলাই।
বুলিবে লাগিল কৃষ্ণক চাই" ॥
"নেত্রে বিমুক্ত্য কদিতোপহতে স্ম কিঞ্চিৎ।
সংবস্তু গদ্গদগিরঃ অব্রুবত অনুবক্তা ॥"

গোপীসকলৰ অনুনয় এই যে—ভগৱন্তৰ নিমিত্তে তেওঁলোকৰ দ্বাৰাই সর্ব্বস্ব ত্যাগ।—

"ভকতবৎসল তোমাক জানি।
কেনে বোলা হেন বাতুক বাণী।
সমস্ত বিষয় এড়িয়া স্বামী।
ভজিলোঁ তোমাৰ চৰণে আমি ॥
ভজিয়ো আমাক নিলোক ভাগ।
নকৰা নাথ ভকতক ত্যাগ।"
"সংত্যজ্য সর্ব্ববিষয়ান তব পাদমূলম্।
ভক্তা ভজন্ত দুববগ্রহ মাত্যজ অস্মান্।"

ইস্! তুমি বৰ ধর্ম্মবেত্তা ওলাইছা। তুমি পতি অপত্য সুহৃদৰ অনুবৃত্তি তিবোতাৰ ধর্ম্ম বুলি কৈছা। কিন্তু সকলো উপদেশৰ বিষয়, হে ঈশ! তুমিহেঁ যে। তোমাতেই আমাৰ অনুবৃত্তি হওক। কাৰণ সকলো ভোগ্যৰ ভোক্তা তুমি যেতিয়া সুকলো দেহধাৰীৰ সেই প্রিয় বন্ধু আত্মা, তেতিয়া সকলোতে যি কৰণীয় সেই এটাইবোৰে তোমাতে হওক।

"প্রেষ্ঠঃভবান তনুভৃতাং কিল বন্ধু আত্মা।"
"কহিলা বিটো কুলস্ত্রীৰ ধর্ম্ম।
তোমাতে আছোক সিসৰ ধর্ম্ম ॥
জগতৰ বন্ধু আতমা তুমি।
সমস্ত ধর্ম্মৰ আপুনি ভূমি ॥"
"কুর্ব্বন্তি হি ত্বয়ি রতিং কুশলাঃ স্ব আত্মন্
নিত্যপ্রিয়ে পতি সুতাদিষি আর্ত্তিদৈঃ কিম্" ॥
"তুমি আত্মা হেন জানি সম্প্রতি।
তোমাতেসে করে ভকতে রতি ॥
নালাগে পতিপুত্র দুঃখ হেতু।
হয়োক প্রসন্ন গকড়কেতু ॥"
"তন্নঃ প্রসীদ পরমেশ্বর মাস্মছিন্দ্যা
আশাং ভৃতাং ত্বয়ি চিরাৎ অরবিন্দনেত্র" ॥
"কবিছোঁ আশা যিটো চিরকাল।
নকৰিয়ো তাক ভঙ্গ গোপাল ॥"

হে কৃষ্ণ! তুমি আমাৰ সর্ব্বস্ব হৰণ কৰিছা। আমাৰ যি চিত্ত ইমান দিন সুখেৰে গৃহকর্ম্মত নিবিষ্ট আছিল, সেই চিত্তক তুমি অপহৰণ কৰিলা। যি হাত গৃহকর্ম্মত ইমান দিন লিপ্ত আছিল, সেই হাত তুমি হৰণ কৰিলা। ভৰি দুটা তোমাৰ পাদমূলৰ পৰা এথোজো যাব নোখোজে। কেনেহলে কেনেকৈ আমি ব্রজলৈ উলটি যাম? আৰু গৈয়েই বা কি কৰিম?—"ধামঃ কথং ব্রজম্ অথো কৰবামঃ কিম্বা ॥"

"হৰিলা চিত্ত নাথাকয় ঘৰে।
হস্ত দুই গৃহকৃত্য নকৰে ॥
তোমাক এৰিয়া নচলে ভৰি।
ব্রজক গৈয়া কি কৰিবো হৰি ॥"

"সিঞ্চ অঙ্গ নঃ তু অধরামৃত পুবকেন।
হাস্যাবলোককলগীতজহৃচ্ছয়াগ্নিম্ ॥
নোচেৎ বয়ং বিবহজাগ্ন্যুপযুক্তদেহা।
ধ্যানেন যামঃ পদয়োঃ পদবীম্ সখেতে ॥"

হে কৃষ্ণ! তোমাৰ হাস্যদৃষ্টি আৰু কলগীত জাত যি কামাগ্নি, সেই অগনিক তোমাৰ অধরামৃত দি নুমোৱা। নতুবা তোমাৰ বিবহ অগ্নিতে আমি দগ্ধ হৈ যোগীসকলৰ নিচিনাকৈ নিশ্চয় তোমাৰ পাদপদ্ম লাভ কৰিম।

"অলে কামানল তোমাৰ গীতে।
নিমাযোক তাক অধরামৃতে ॥
নোহি বিবহতে দহিয়া তনু।
লভিবো তোমাৰ সমীপ পুহু ॥

ইয়াৰ আচল মর্ম্ম যে ভগৱন্তৰ বিবহত গোপীসকলে প্রাণ পর্য্যন্ত পবিত্যাগ কৰিবলৈ প্রস্তুত। গোপীসকলে কৈছে—শুনিছোঁ আবণ্যজন তোমাৰ প্রিয়। তোমাৰ পদতল লক্ষ্মীবো উৎসৱৰ স্থান। যেতিয়াৰ পৰা অবণ্যত তোমাৰ সেই পদতল স্পর্শ কৰিছোঁ, তেতিয়াৰে পৰা তোমাৰ দ্বাবাই আমি "নান্যসমক্ষম অঙ্গ স্থাতুং ত্বয়া অভিবমিতাবত পাবয়াম:" অর্থাৎ আনন্দিত হৈ আৰু আনৰ কাষলৈ যাব নোৱাৰা হৈছোঁ। আন সকলো আমাৰ পক্ষে তুচ্ছ বোধ হৈছে। ইত্যাদি কাৰণত

"পুরুষ ভূষণ কৰিয়ো দাসী ॥"
"তথাস্যনাং পুরুষভূষণং দেহি দাস্যম্।"

গোপীসকলে গৃহস্বামীত্ব পবিত্যাগ কৰি কিয় শ্রীকৃষ্ণৰ দাস্য বিচাৰিছে? কাৰণ, ভগৱন্তৰ সুন্দৰ রূপত তেওঁলোক মোহিত।

বীক্ষ্য অলকাবৃতমুখং তব কুণ্ডলশ্রী
গণ্ডস্থলাধরসুধং হসিতাবলোকম্।
দত্তাভয়ঞ্চ ভুজদণ্ডযুগং বিলোক্য
বক্ষঃ শ্রিযৈকরমণম্ চ ভবাম দাস্যঃ ॥

"অলকা আবৃত তোমাৰ মুখ।
অধৰ সুধাক দেখন্তে সুখ॥
ভ্ৰুবযুগ তযু ঈষত হাসি।
দেখি প্ৰভু তাক ভৈলোঁহো দাসী॥"

তোমাৰ ৰূপত মুগ্ধ হৈ আমি ধৰ্ম্মত্যাগ কৰিবলৈ প্ৰস্তুত, কাৰণ সেই ৰূপত ত্ৰিভুবন পুলকিত।

"আছোক আন বৃক্ষ পশু পক্ষী।
প্ৰেমে পুলকিত তোমাক দেখি॥"

"সন্মোহিতা আৰ্য্যচৰিতাৎ ন চলেৎ ত্ৰিলোক্যাম।"
"যৎ গো-দ্বিজ দ্ৰুমমৃগাঃ পুলকানি অবিভ্ৰণ॥"

আমি তোমাৰ কিঙ্কৰী। আমি জানোঁ তুমি ব্ৰজৰ ভয় বিনাশ কৰিবৰ নিমিত্তে অৱতাৰ হৈছা—

"ব্ৰজৰো তুমি দুঃখ ভয়হাৰী।"

এতেকে—

"জানিয়া জুৰায়ো আমাৰ প্ৰাণ।
শিৰত হস্তপদ্ম দিয়ো দান॥"

শ্ৰীকৃষ্ণৰ কথাৰ উত্তৰত গোপীয়ে যি কলে তাৰ মৰ্ম্ম এইটো স্পষ্ট হৈ পৰিল, যে—"হে কৃষ্ণ! পতিপুত্ৰাদিৰ সেৱা কৰাটো যে তিৰোতা মানুহৰ পৰম ধৰ্ম্ম বুলি তুমি কৈছা, সেইটো সকলোৱে জানে, আমিও জানোঁ। কিন্তু আমাৰ স্বাভাৱিক বিশ্বাস, যে তুমিয়েই আমাৰ পতি, আৰু তুমিয়েই ত্ৰিজগতৰ পতি। পতি মানে কি? যি সৰ্ব্ব-প্ৰকাৰে ৰক্ষা কৰিব পাৰে, তেঁৱেই পতি। আমাক যি পতিৰ ওচৰলৈ উভতি যাবলৈ তুমি কৈছা, সেই পতিয়ে নিজকে ৰক্ষা কৰিব নোৱাৰে, তেওঁ আকৌ আমাৰ পতি অৰ্থাৎ ৰক্ষক হব কেনেকৈ? সেই পতি নামতহে পতি কাৰ্য্যত উপপতিহে। তুমিহে আচল পতি। যি পতিয়ে নিজকে সুখী কৰিব নোৱাৰে, তেওঁ পত্নীক সুখী কৰিব কেনেকৈ? তুমিয়েই স্বভাৱতে সকলোৰে চিৰপতি। তুমি নিত্যানন্দ পৰমানন্দস্বৰূপ; তোমাৰ সেৱাতেহে জীৱই অনন্ত আনন্দ লাভ কৰিব পাৰে।"

"তুমি শুদ্ধ বুদ্ধ নিত্য নিৰ্ম্মল নিৰ্গুণ দেৱ,
মোৰ প্ৰভু নাৰায়ণ এ,
স্বৰূপ আনন্দে সদা সুখী।" (ঘোষা)

এই জগতত পুৰুষ মাথোন এজন। 'একমেবাদ্বিতীয়ম্।' তেওঁৰ বাহিৰে বাকী এটাইবোৰ প্ৰকৃতি। সেই অদ্বিতীয় পুৰুষ তুমিয়েই। মানুহে ভ্ৰমত পৰি যিবোৰক পতি বুলি আশ্ৰয় কৰে, বাস্তৱিকতে সেইবোৰ প্ৰকৃতিহে। প্ৰকৃতিয়ে প্ৰকৃতিৰে সৈতে বিহাৰ কৰি কেতিয়াও সুখী হব নোৱাৰে। যেতিয়া জীৱই নিজক প্ৰকৃতি বুলি জানিব, আৰু তোমাকহে এক মাথোন পুৰুষ বুলি জানিব, তেতিয়া মায়ামুগ্ধ পাৰ্থিব নাম মাত্ৰ পতিক পৰিত্যাগ কৰি তোমাকে মাথোন পতি বৰণ কৰি অখণ্ড আনন্দ লাভ কৰিব। আমি সেইবাবেই তোমাৰ শৰণাপন্ন হৈ তোমাক আমাৰ পতি বুলি বৰণ কৰিছোঁ পুত্ৰই আমাক কি নৰকৰপৰা উদ্ধাৰ কৰিব? পুত্ৰৰ নিজৰে অৱস্থা তেনেকুৱা। উদ্ধাৰ-কৰ্ত্তা মাথোন তুমি। তোমাৰ সেৱাতেই পুত্ৰক লালন-পালন কৰি তোলাৰ উদ্দেশ্য সম্পূৰ্ণৰূপে সাৰ্থক হয়। এতেকে আমাক "নালাগে পতিপুত্ৰ দুঃখ হেতু।" আৰু সুহৃদৰ যে কথা কৈছা, সুহৃদ কাক বোলে? যি নিস্বাৰ্থ হৈ আনৰ উপকাৰ কৰিব পাৰে, সিয়েই সুহৃদ। তুমি যাক আমাৰ সুহৃদ বুলি কৈছা, সেইসকল নিজৰ তাপতে সদায় পৰিতাপিত; নিস্বাৰ্থ, নিষ্কাম হৈ তেওঁলোকে আনৰ উপকাৰ কেনেকৈ কৰিব? এক মাথোন তুমিয়েই এই জগতত সুহৃদ; কাৰণ তুমি নিজানন্দত পৰিপূৰ্ণ। তোমাৰ কোনো অভাৱ নাই। সেই দেখি তুমিয়েই জীৱৰ সুহৃদ। তোমাকেইহে সুহৃদ বুলি সেৱা কৰা উচিত।

"তুমি প্ৰাণ প্ৰিয়তম সুহৃদ পৰম দেৱ,
প্ৰাণ প্ৰভু পীতাম্বৰ এ।
তুমিসে কেৱলে আত্মা মোৰ॥" (ঘোষা)

আত্মাৰ প্ৰতি সকলো জীৱৰ প্ৰেম স্বাভাৱিক। সেই আনন্দময় অন্তৰাত্মা তুমি আমাৰ সমুখত। তোমাক পাই আমাৰ কৰ্ত্তব্যৰ শেষ হ'ল। যি তোমাক আত্মা বুলি নাজানে, সি তোমাৰ উপদেশ শুনি ঘৰলৈ উভতি গৈ জড় পতিপুত্ৰাদিৰ সেৱা কৰক গৈ। আমি আৰু নাযাওঁ, কাৰণ আমাৰ তেনেকুৱাবোৰ ধৰ্ম্মানুষ্ঠান কৰিবৰ আৰু আৱশ্যক নাই। আমি

"পাইলোঁ পাইলোঁ ৰে প্ৰাণধন মুকুন্দ মুৰাৰি।
দিলা দেখা দামোদৰ জীৱন হামাৰি॥" (কীৰ্ত্তন)

ছফেদা

—গল্প

—শ্ৰীযুত হলীৰাম ডেকা এম্-এ, বি-এল্

(১)

আবুল খয়েৰৰ টোপনি ভাগিছে, তথাপি চকু মেলা নাই। বাহিৰৰ জগতত যেন কি এটা জ্বালা, কি পোৰণিয়ে তেওঁৰ বাবে অপেক্ষা কৰিছে! লোকচক্ষুৰ অন্তৰাল হৈ জগতখন দৃষ্টিৰ বাহিৰত ৰখাই যেন শান্তি, এনে অনুমান কৰিছে। ৰাতি পুৱাইছে তেওঁ জানে,—কিন্তু দিন কিয় আহে,—আবহমান কালৰ পৰা মহাপ্ৰলয়লৈকে এটা নিশাই সকলো আবৰি নলয় কিয়—তেওঁ মনে মনে ভাবিছে। খিৰিকিৰে আহি তেওঁৰ চকুৰ পিৰঠিত ৰ'দ পৰিছে, মুদা চকুৰ ভিতৰতো পোহৰৰ চাত পৰিছে,—তথাপি চকু মেলিবৰ মন নাই। ওচৰতে ফুলি থকা সুগন্ধি ফুলৰ উদ্দাম গন্ধই তেওঁৰ কাষত অযাচিতভাৱে নিজৰ সৌৰভ যাচিছে। তেওঁ উপেক্ষা কৰি কৈছে,—'এই বুকুত কোমলতাৰ স্থান নাই'। বাগৰ সলাবৰ মন গৈছে, কিন্তু সলোৱা নাই, কাৰণ কোনোৰূপ জীৱিতৰ লক্ষণ দেখুৱাই তেওঁৰ অভিৰুচি নাছিল, তেওঁ অৱশ্যে মৰণ কামনা কৰা নাছিল,—অচৈতন্যক আকুলভাৱে আহ্বান কৰিছিল। কিন্তু তেওঁ যেন অতি চেতন, অতি অনুভূতিপৰায়ণ হৈ উঠিছিল। তেওঁৰ ভৰিৰ পৰা মূৰলৈকে বেদনাই কণ্‌কণ্ কৰিছিল। তেওঁ চিন্তাত কাতৰ হৈ নিৰ্জীৱভাৱে পৰি আছিল। ছফেদা তেওঁৰ পৰিণীতা পত্নী। ৰূপ-যৌৱন অঙ্গসৌষ্ঠৱত তেওঁ অতুলনীয়া। অতুল ৰূপৰাশিৰ মাজত কোমল প্ৰাণটিয়ে ৰূপহ ফুলৰ সুগন্ধৰ দৰে অপৰূপ সৃষ্টিচিত্ৰৰ এটা নমুনা দেখুৱাইছিল। তেওঁ আছিল ৰূপৰ ৰাণী, স্নেহৰ মন্দাকিনী। আবুলৰ প্ৰতি তেওঁৰ অনুৰাগ অসীম। তেওঁ লাহে লাহে আহি গিৰিয়েকৰ বিছনাৰ কাষ চাপি তেওঁৰ কোমল হাতখনি আবুলৰ ডিঙিৰ তলেদি সুমাই দিলে, এয়ে তেওঁৰ গিৰিয়েকক সাৰ পোৱোৱাৰ অতীতৰ প্ৰচলিত ৰীতি। আবুল সাৰ পায়ে আছিল, তেওঁৰ চিন্তাজ্বৰৰ মাজতো শান্তিৰ এই সুশীতল মলয়া ছাতিৰ মধুৰতা বেয়া নালাগিল। আগৰ দৰেই উপভোগ কৰিলে—তেওঁ হাতখন আগবঢ়াই দি ধুনীয়া মূৰটি কাষ চপাই নি গালত লগাই সাৱটি ধৰিলে, আনখন হাত পিঠিৰ ওপৰেদি পৰিল। ছফেদা আকৌ পোণ হৈ থিয় হ'ল, গালেদি দুধাৰ চকুলো বাগৰি পৰিল,—অনুযোগৰ সুৰত কলে—"উঠক"। খয়েৰে চকু মুদিয়ে কলে—"মই মৰিছোঁ।" এনে সুৰত কথা আগেপিছেও কয়—তেতিয়া ওঁঠৰ চুকত এটা হাঁহি কোঁচ খাই থাকে,—আজি যেন অতি সহজ সৰল সত্য, এনেভাৱে কলে। ছফেদাৰ অন্তৰত শৰে বিন্ধা যেন পালে। তেওঁ কলে—"এনে কথা নকব; লাগে মই মৰিম।" "সেয়ে হওক, এজন মৰিলে হয়।" ছফেদাই একো নামাতিলে—কাৰণ, গিৰিয়েকৰ মনৰ অৱস্থা তেওঁ বুজিছিল। অলপ পৰ বৈ ছফেদাই কলে—"উঠক। মই যাম আজি।" আবুল খয়েৰে অতি কষ্টেৰে চকু মেলি ছফেদাৰ হাতত ধৰি কলে—"বহা অলপ।" তেওঁ বহিল। গিৰিয়েকে কলে—"সঁচাই যাবা?" "হয়।" "বাৰু ছফেদা, দুয়ো যাওঁ ব'লা। তুমি সঁচাকৈ ভাবিছা নেকি, যে বাবাজানৰ সম্পত্তিৰ মোহত মই এই ঘৰ, এই দৌলৎ এৰি ওলাব নোৱাৰোঁ? বহুদিন আগেয়ে দেখা থিয়েটাৰৰ দৃশ্য এখনলৈ মনত পৰিছে। সম্ৰাট ছাজাহানৰ পুতেক দাৰাই ঘৈণীয়েক আৰু পুতেকক লৈ মিত্ৰ শক্তিৰ সহায় বিচাৰি মৰুভূমিৰ মাজে মাজে ঘূৰি ফুৰিছে, কোনোৱে আশ্ৰয় নিদিয়ে,—মৰুভূমিৰ পোৰণিত কোমল বয়সৰ ল'ৰাটিৰ পিয়াহত কণ্ঠাগত প্ৰাণ, মাকৰ কি কৰুণ চাহনি, দাৰাৰ অন্তৰত কি হু-হু কৰে পোৰণি! সিও এটা জীৱনৰ দৃশ্য! আমাৰ কি সম্পত্তি? দুটা ঘৰ, দুলাখ টকা—ভাবিছা ইয়াৰ মোহত তোমাক বিসৰ্জ্জন

দিম?" কথা কোরাব লগে লগে তেওঁর হাতব মুঠি টান হ'ল—অলপ পব নিমাত হৈ থাকিল, চকুলো বাগবিল। ছফেদাই মবমব সুবত কলে—"আপুনি বেজাব নকবিব, মই আহিম।" আবুলে উত্তেজিতভাবে কলে—"তুমি আহিবা, কেতিয়া আহিবা?" "দেউতাব খণ্ডে অলপ শাম কাটক।" "তুমি মুর্খ।" ছফেদাই একো নামাতিলে। খণেবে আকৌ কবলৈ ধবিলে—"বাবাজানো মুর্খ,—মুর্খ, অর্থাৎ কথা বুজিবলৈ চেষ্টা নকবে। তেওঁ কিয়,—মদি ভগৱানো হয়, আক ভাটি বয়সত বিয়া কবায় palpably fools!—নহলে বুজে, শবীবত সামর্থ্য নাই—goes in for a wife! আল্লাব দোহাই দিছে, হজবতব নামত কলঙ্ক সান,—fools! কোনে তেওঁক মাহী দেউক বিয়া কবাবলৈ কৈছিল—she was anything!" খন্ডত তেওঁব চকু বঙা হৈ উঠিছিল। ছফেদাই গিবিয়েকব কপালত হাত দুবাই তেওঁক সান্ত্বনা দিবলৈ চেষ্টা কবি কলে—"বাক সেইবোব একো কথা নহয়, ধবক,—আমাব বিয়া হোৱা নাছিল।" "বিয়া হোৱা নোহোৱাটৌ একো কথা হোৱা নাই,—অন্যাংটৌবে নোচোৱা কিয় তুমি? তোমালোকব জাতিটো, এই তিবোতা জাতিটো, ইমান অভিমানী তোমালোক,—তোমালোকব প্রত্যেকবে অনুমান, যেন তোমাব নিচিনা অস্থিবীয়া কপৱতী আক কোনো নাই। এনে নিকৃষ্ট! মই কওঁ, তোমালোকব মাজত কেইজনী কপৱতী?—we tolerate, আমি সহ্য কবি পিঠিত থপবিয়াই তোমালোকক কপৱতী বোলোঁ, সেয়ে তোমালোকব কপব গৌবব। তোমালোকক কোনে চকুত আঙুলি সুমাই দেখুৱাই দিব যে তোমালোকব ব বেছি যোগ্যতা যদি কিবা আছে—'অনুযোগ, আদকৰা সুব ধবা'। এয়ে সৃষ্টিত কিমান অশান্তিব সৃচনা কবিছে জানা? তোমালোকব অন্যতম গুণ—অন্তবব কথা লুকাই বাখি অনায়াসে মিছা ভাও জুবিব জানা। তোমালোক যাব প্রণয়প্রার্থী আছিলা বা আছা, আঁবশুক বোধ হলে তাক নিচিনোঁ বোলা তোমালোকব পক্ষে একো কথাই নহয়। যেতিয়া তোমালোকে কাববাক নিজ হাতেবে বিহ খুৱাবা, তেতিয়াও তোমালোকব ওঁঠব চুকব হাঁহিটি মাব নাযায়। তোমালোক যাব ওচবত এবাব ঘুৰ হৈ আছিহা, তাব বক্ত অকাতবে দুঃশাসনব দবে পান কবি পাবা। কি মিছলীয়া, কি বিশ্বেষণবায়ণ জাতি!" ছফেদাই ভয় ভয়কৈ কলে "হয়, ময়ো সেই জাতিব।" "চুপ, তুমি তিবোতা নোহোৱা, তুমি ছফেদা, সুন্দৰ,—সঁচাকৈ—থাওক, যিয়ে নোহোৱা, তুমি মোব একা অপবিহার্য্য অংশ। বাক কোৱা, তুমি মোব পবা আঁতবি নাযাবা?" ছফেদাই হুকহুকৈকে কান্দিবলৈ ধবিলে—খণেবব ডিঙিতো বেজাবে সোপা দি ধবিলে। ওবণিব ছফেদাব মুখখনি মচি দি আবুলে বঙচুবা খণ্ড হথনিত দুটি চুমা দি কলে—"মোহ কাটি গ'ল ছফেদা, লাগিলে তোমাক নিজ হাতেবে মাবিম, একে আঘাতে নিজকো মাবিম—তথাপি চুমো লগ এবা এবি নহয়, একো সুখ, একো সন্তোগ, একো সৌন্দর্য্যই মোক ভোবা পবা আঁতবাই বাখিব নোৱাবে। মোক কাণি বাখি ছপবত মতাই নি বাবাজানে কলে—"তোমাক তাৰাক দি লাগে,—নহলে মোক ত্যজ্য কবিব। এই ভয় বা দেখুৱায় ছফেদা,—তোমাত বাহিবে মোব কি সম্পত্তি আছে? অৱশ্যে কথাখিনি কোৱাত খবাচুবা হৈছে, ম theatrical ও বুলিব পাবা—কিন্তু এয়ে প্রকৃত কথা, মু লাগে মোব বুকব ওপবত হাতখন থৈ অনুমান কবা",—এ বুলি কৈ চিব-অনুগত কোমল হাতখনি বুকত লগাই ধবি বুজিছিল, ছফেদাই মিচিকৈ হাঁহি কলে—"কে দিন আগবপবা জানোঁ।" "জানা যদি আক যোৱা নি আক যদি যোৱাই, ছয়ো যাওঁ।" "বাক হবচোন, আপু কোমল চাহনিবে সৌহার্দ্য জনাই আন ঘবলৈ গ তেওঁব প্রতি খোজতে যদিও ললিত ভঙ্গিমা আছে, দৃঢ়তাও চকুব দৃষ্টিত প্রকাশ পাইছিল। আবুলে অ কবিছিল "তেওঁ নির্দ্দয় হবলৈও শিকিছে।" আ তিবোতাব ওপবত বিমানবোব দোষাবোপ কবি সেইবোব তেওঁ নিজেই সঁচাকৈ বিশ্বাস কবা নাছি তেওঁব ৎ আছিল মাহীমাক জনীব ওপবত। মাহীমা স্বভাব আক গতিশোভব ওপবত তেওঁব আগব পবাই

মাছিল; দেউতাকে আদহীয়া বয়সত যেতিয়া এই জনীক বিয়া কবাবলৈ মন কবে, তেতিয়া আবুলে দুবে দুবে সেই বেছ বাধা দিছিল, অৱশ্যে প্রত্যক্ষভাবে পিতাকক থৈ বাধা দিয়া যুক্তিসঙ্গত বুলি বিবেচনা কবা নাছিল। মাহীমাকে বৃদ্ধ বিয়াব পিছতে থৈ পিতাকব ওপবত বিশেষ প্রভাব বিস্তাব কবা দেখিলে, কিন্তু সেইটো স্বাভাবিক বুলি আবুলে মতে একো আপত্তি তোলা নাছিল। মাহীয়েকে তেওঁব প্রতিও যথেষ্ট মবম চেনেহ দেখুৱাইছিল, ববং বহুত সময়ত শিশুকতকৈ পুতেকব লগত হে বেছি সময় নিয়াবব ইচ্ছা প্রকাশ কবিছিল আক আদব-যত্নতো যথেষ্ট ঘনিষ্ঠতা সনা আছিল। মাজে মাজে আবুলব মনব ভয় সমর্থন কবিছে সেয়ে জেঠিয়ে টিক্ টিক্ কবিছিল। আবুলে বহুবাব বুজাবলৈ চেষ্টা কবিছে যে ধুনীয়া ছফেদাক দেখাবে পবা তেওঁব মন দিনে গ'ল আক অলপ বাধা বিঘিনি পালেও তেওঁক সিদ্ধ কবি লৈ এটা গৌবব অনুভব কবিলে। ছফেদাব হৃদয়াবেগসকল এসময়ত ভাল অনুভাব আছিল। এটা অনুঘাত অলপ হীন হলেও এটা সন্ত্রাস্ত মুছলমান পৰিয়াল হিচাপে তেওঁলোকে সকলোবে পবা সম্মান পাই আহিছিল। কইনাব বাপেকব, বিয়া দিবলৈ সামান্য ইচ্ছা আছিল এইবাবে, যে তেওঁব আদবত উঠা ছোৱালী, ঘবকব ঘবত কিজানি কেটেবা জেঙেবা মাত শুনিব লাগে, তাতে ডেকা সতিয়া শাহুবেক থকা নানা কাবণতে ভয় বিপদজনক। আবুলব মাহীমাকে অলপ বাধা দিছিল, বাধা দিয়াব কাবণ অৱশ্যে আন একো কোৱা নাছিল—কেৱল কৈছিল যে ল'বাব বয়স কম, ছোৱালী বহুত,—ইত্যাদি। মাহীয়েকে বাধা দিয়া দেখিয়ে আবুলব ইচ্ছা কবাবলৈ আগ্রহ বাঢ়িছিল। আবুলব বাপেক ধনলাভব মানুহ,—তেওঁ, যিটো সহজতে হয় তাকে দিবলৈ পবাপক্ষ দিছিল। মাহীমাকে আপত্তি তুলি ললে, সি হে গ'ল। ছফেদা আহি ববঘবব মজিয়াত থোজ থোৱা পবা শাহুবেকব মুখ নজলা হ'ল।

মুখ মাহীয়েককে, অকণসবীয়া হলেই বিববিবকৈ কোৱা শুনা যায়, দুই এটা শব্দ বুজিব পাৰি—'আমি নাছিলোঁহে', 'যি জোব হে ভেটভেটিয়া চকু' 'যি হে মেবামেবি খোজ' ইত্যাদি। অৱশ্যে কৈ থোৱা উচিত,—এই গবাকী মহিলা ডাঙ্গব ঘবব পবা অহা নাছিল, তেওঁব জন্ম সম্বন্ধেও অলপ বহুত আছে—মাকব বিয়াব যিমান সোনকালে তেওঁব জন্ম হৈছিল, ক'লে অলপ লাজ পাই।

ছফেদা মাকব ঘবলৈ গ'ল। তেওঁব বিশ্বাস আছিল, এয়ে তেওঁব শহবী ঘটাব শেষ নহব। কাজিয়া মবিব, মাহীমাক শান্ত হব,—আবুলে তেওঁক আকৌ আনি কাষ চপাই লব। যাবৎ সময়ত আবুলক দেখা কবিয়ে তেওঁ বিদায় লৈছিল, আবুলে মনব বেজাবত একো মাতিব নোৱাবিছিল—কিন্তু অনুমান কবিছিল ছফেদা গোৱাব লগে লগে যেন তেওঁব অন্তব খহি যাব, তথাপি ভাবিছিল ঘবত অলপ শান্তি হওক—মাহী আহিব কিছুদিনলৈ বুক জুব পব'ক। এটা চুন্তিন্তা বেঙাই গ'ল—মনক প্রবোধ দিলে,—ভাব আছিল—'অতি ছেহ পাপাশক্ষী'। এনেতে ছফেদাব ভনীয়েক হামিদাই লচপচকৈ সোমাই আহি কলে—"কিমান পলম লাগে অ, বাইদেউ?" ছফেদাই আন পিনে মুখ ঘুবালে, হামিদাই দেখিলে ভিনিহিয়েকব কান্দো কান্দো মুখখন। হামিদাই হাঁহি কলে—"ছিঃ ভিনিহিদেউ, আপোনাব হে কান্দোনব পালা নে, আমি শুনিছিলোঁ ছোৱালীয়েহে কান্দে।" ভিনীহিয়েকে একো মাতিবলৈ নৌপাওঁতেই বাহিকে হাতত ধবি হামিদাক লৈ বাহিব ওলাই গ'ল। ছফেদাক নিয়া গাড়ী যিমান দুবৈলৈকে দেখা গৈছিল—খিবিকিবে আবুলে চাই আছিল, গাড়ী অদৃশ্য হোৱাত তেওঁবো হিয়া ভাঙি পবিল, দীঘল হমুনিয়াহ এটা কাঢ়ি কিছু পবলৈ বিছনাব আশ্রয় ললে।

অলপ পিছতে মাহীমাকব পাচনিত বুঢ়ী এজনীয়ে আহি ঘবব ললে—"আইদেউ কিয় গ'ল, বোপা?" "মাবত সোধ গৈ" বুলি তাইক গতা মাবি ঘবব বাহিব কবি দি দুৱাবখন মাবিলে ঘটাই।

(২)

আবুলব মাহীমাকব নাম আছিল লতিফা। লতিফাব জীৱন-বুবঞ্জী কি চাকনৈয়াত ঘুবিছিল, তেওঁ নিজেই জানে। তেওঁব নিজব অৱশ্যে বিশ্বাস আছিল,—কাবো

কাৰো পৰা যে সমৰ্থন পোৱা নাছিল তেনেও নহয়,—যে তেওঁ ধুনীয়া। চৈদ্ধৰ পৰা চৌত্ৰিশ বছৰলৈকে তিৰোতাৰ যিখিনি সম্বল, ৰূপৰ ভমক, চেহেৰাৰ দৰপ বা তেজৰ উত্তাপ থাকে, সেই সকলোখিনি তেওঁত আছিল। প্ৰণয়ৰ ফান্দ পাতিবলৈ সৰুৰেপৰা বহুত শিকিছিল। চিকাৰো ধৰা পৰিছিল,—সকলোকে অলপ অচৰপ স্নেহৰ চাপ দিয়ে এৰি দিছিল, কিন্তু আবুলৰ দেউতাকৰ টেটুত ভালকৈয়ে চেপি ধৰিছিল। আবুলৰ দেউতাকে বিয়া কৰাবলৈ অলপ হেহোঁ-নেহোঁ কৰা দেখি কৈছিল,—"আজি নহয় মই মনে মনে থাকিলোঁ,—দুমাহ পলমে দেখোঁ মানুহে মুখত ছাই সানিব—তেতিয়া সাত শতুৰৰ কৰোমৰোত—" "বুজিছোঁ মই, কব নালাগে।" তাৰে দুদিন পিছতে নিকাহ হৈ গ'ল। ভয়ৰ কাৰণ অৱশ্যে লতিফাই কোৱাৰ নিচিনা একো নাছিল, থকা হলেও লতিফাই জানে কি কৰিব লাগে। লতিফাৰ এটা গুণ আছিল—একো পুৰণি বস্তুৱে তেওঁৰ ভাল নালাগিছিল—আৰব্য উপন্যাসৰ 'নিত্য নতুন' প্ৰথা তেওঁৰ মনত বৰ ভাল লাগিছিল, আৰু পাৰ্য্যমানে তাৰে অনুধাৱনৰ বাবে যত্নও কৰিছিল। সেই কাৰণেই তেওঁ আবুলৰ বাপেকৰ জিম্মাত থাকিও চাৰিপিনে চকু ফুৰাইছিল, এনে বোৰ অভিজ্ঞতাৰ সম্ভেদ লবলৈয়ে আবুলৰ কাষ চাপিছিল। তেওঁ পৰ্ব্বতৰ জুৰিটিৰ দৰে গতিশীল, একোৱে তেওঁৰ ইচ্ছাক বাধা দিব নোৱাৰে, সুৰসুৰকৈ কোনপিনে খানি ওলাই যায়, কোনোৱে কব নোৱাৰে,—কৰবাত অলপ হো-হোৱনি উঠিলে আকৌ কাষৰ কাটি আন পিনে দি যায়, বাহিৰত দেখা যায় তেওঁ গতিশীল,—কিন্তু বাস্তৱতে কিমান অন্তঃসলিলা আৰু কোন পিনে যোৱাৰ তেওঁৰ অভিপ্ৰায়, আন নালাগে তেওঁ নিজেও নাজানিছিল। ছফেদা যোৱাত তেওঁ এবাৰ কপাল কোঁচাই ভাবিছিল—"ইয়াৰ ফল কি হব? শেষ ফল যিয়ে নহ'ক, সম্প্ৰতিলৈ অন্ততঃ মোৰ চেষ্টা বিফলে যোৱা নাই। আঁতৰি থাকিলে বহুত পাহৰা যায়, সময়ত ছফেদাক আবুলৰ মনৰপৰা বাজ কৰিব পাৰিলে আন হ'ক নহ'ক—মোৰ মনত অন্ততঃ অলপ শান্তি আহে। আবুলৰপৰা মই একেবাৰে আঁতৰি থকা ভাল হোৱা নাই।" কুটিল ৰকমৰ হাঁহি এটা মাৰি বাহিৰৰ জগতলৈ লক্ষ্য কৰি কলে—'হাজাৰ হলেও নিজৰ ল'ৰা।' অলপ পিছতে মনত আৰু আশঙ্কাৰ উদয় হ'ল—"শিপাই সৈতে নুঘালিলে নিশ্চিন্ত হব নোৱাৰি। তালাক দিয়াব নোৱাৰিলে ভয় থাকি গ'ল। যদি অগত্যা সম্মত হৈ তালাক নিদিয়ে—জগতৰ পৰা এজনক তালাক দিয়াব লাগিব।" সেই মুহূৰ্ত্ততে মনত পৰিল তেওঁৰ নতুনকৈ অনুগ্ৰহ পোৱা ডেকা মোটৰগাড়ী-চালক মজফৰলৈ। তেওঁৰ শোৱনি ঘৰৰ ঘৰীলৈ চাই দেখিলে—সাত বাজিবলৈ ১৫ মিনিট আছে। সাত বজাত মজফৰ আহিব, গাড়ী থোৱা ঘৰৰ চেপৰ বাগিচাৰ চুকৰ চম্পাফুল ডালৰ কাষলৈ যোৱাৰ কথা। "মই ঘৰৰ গিৰিহঁতনী হৈ চোৰৰ দৰে বাহিৰত ঘূৰাঘূৰি কৰি থাকিম কিয়,—মোৰ তো এতিয়া কণ্টক নাই,—সি ওপৰলৈ আহিল কি হ'ল! বাৰু! কুল্‌পি!" তেওঁৰ কুল্‌পি নামৰ লিগিৰীজনী আহিল। "যা, মজফৰক ইয়ালৈ মতা বুলি ক গৈ।" মজফৰে ভয়ে ভয়ে ওপৰলৈ আহিল—মনতে ভাবিলে "ক'ত বা কি হ'ল, মোক ওপৰলৈ মাতে কিয়? যদি দেউতাই কিবা গম পালে,—নে, বোপা দেউতাই দেখিলে নে কি?" দুৱাৰ-মুখতে লতিফাৰ হাঁহিমুখ দেখি ভাবিলে, ভয়ৰ একো কাৰণ নাই। প্ৰাথমিক অভিবাদন বা সম্ভাষণ যথাৰীতি হৈ যোৱাৰ পিছত লতিফাই কলে—"এটা যদি কাম কৰিব পাৰ, তেহে তোৰ তাগদ বুজিম।" মজফৰে চিৰ-অনুগত ভাৱে কলে—"ফৰ্ম্মায়ে।" "তোক বোধ হয় মই একো দিয়া নাই, প্ৰীতিৰ চিন।" "বহুৎ মিলা, ঔৰ কিছিকা জৰুৰৎ হায়, যো মিলা য়েতো মেৰা খুছ নছিব।" "ল এই মোৰ উপহাৰ।" সি হাতখন আগ বঢ়াই দিলে। লতিফাই এটা বিভলভাৰ দি কলে—"লগত ৰাখিবি।" সি অপৰাধীৰ দৰে কলে—"কিয়া কৰণেকো লিয়ে?" "তোৰ আত্মৰক্ষাৰ বাবে, মোৰ আত্মৰক্ষাৰ বাবে।" "কিস্‌কা খুন আপ মাঙ্‌তেহে?" তেজৰ গোন্ধত তাৰ শৰীৰলৈ নতুন বল আহিল,—সাক্ষাৎ যেন এটা মাংসাশী জন্তু। লতিফাই তাঁৰ কাণৰ কাষত কিবা কলে,—গালে গালে ঘঁহনি খালে। হাতত সাৰে ভৰিত সাৰে ড্ৰাইভাৰ অলপ পিছতে অদৃশ্য হ'ল।

ছমাহ পাৰ হৈ গ'ল। ক'তো একো পৰিবৰ্ত্তন নাই; আবুলৰ দিন এটা অনিৰ্দ্দিষ্টতাত যাবলৈ ধৰিলে। ঘৈণীয়েক যোৱা দিনৰেপৰা শহুৰেকৰ ঘৰৰ লগত তেওঁৰ একো যোগ নাই, নিজৰ ঘৰতো ভাল বা বেয়া একো কথাকে শুনিবলৈ নাপায়, সকলো নিৰ্জীৱ নিষ্ঠুৰ বুলি তেওঁৰ অনুমান হ'ল, প্ৰাণৰ চিন একোতে নাপায়। ছফেদালৈ ঘনে ঘনে মনত পৰে, তেওঁ আহিব আহিব বুলি অনুমান কৰে, কিন্তু কেতিয়া আহিব, কি উপলক্ষ্য লৈ আহিব—সেই বিষয়ে এটা স্পষ্ট ধাৰণা নাই, আৰু যদি দুয়ো পক্ষই এই ভাৱেই কাল কটায়, কেতিয়াবা যে মিতিৰালি আকৌ হব, তেনে আশাও নাই। কেৱল তেওঁ ঘৰ খনত এটা পৰিবৰ্ত্তন দেখিছে,—মজফৰৰ আৱশ্যক ওপৰ মহলত বৰ বেছি। (আবুল খয়েৰহঁতৰ থকা ঘৰ ডাঙৰ, তিনিমহলীয়া,—সৰু-সুৰা কেবাটাও আন ঘৰ আছে, যথেষ্ট বহল।) তদুপৰি মজফৰৰ যেন তেওঁলৈ মায়া অলপ বাঢ়িছে, তাৰ চকুত যেন সদায় অলপ সহানুভূতিৰ আভাস পোৱা যায়। আবুলে কিন্তু পোণতে তালৈ চাবলৈ ভাল নাপাইছিল, কিবা যেন এটা সন্দেহ সন্দেহ লাগিছিল, কিন্তু তেওঁৰ সকলো কাম কৰিবলৈ সিয়ে সকলোতকৈ আগে গা পাতি লৈছিল। লাহে লাহে তাৰ আগ্ৰহ এওঁ আন্তৰিক বুলিয়ে ধৰি ললে।

এদিন আবুলৰ পিতাকে তেওঁক মতাই নি কলে "তোৰ এতিয়া মন ঘূৰিব পায়। সেইজনী ছোৱালী বিয়া কৰাবলৈ আমি আগেয়ে মনা কৰোঁ, তই নুশুনিলি। মই আগেয়ে জানো—সিহঁতৰ ঘৰৰ ছোৱালী ভাল নহয়। মাহীয়েৰে মোক আগৰপৰাই কৈ আছিল, ময়ো বিশ্বাস কৰা নাছিলোঁ। সিবোৰ কলে কি হব, যাৰ যেনে তগ্‌দিৰ, তেনে হয়। তই প্ৰকাশ্যে সেইজনী ছোৱালী এৰি দে। হজৰতৰো সেয়ে ফৰ্ম্মাণ। তিৰোতা জাতিৰ সঁজাত নাই, সেইকাৰণেই এজনী দুজনী নহয়, চাৰিজনীলৈকে বিয়া কৰোৱাৰ তেওঁ বিধান কৰি গৈছে, কোৰাণ চৰিফৰ মূল শিক্ষা—" আবুলে অলপ উত্তেজিত ভাৱে কলে "পয়গম্বড়ৰ ভাও অইন লৈত লব, মোক কিবা কামৰ কথা কব থাকিলে কওক, কলে কোৰাণৰ ব্যাখ্যা শুনিবলৈ অহা নাই।" "তই উতনুৱা হোৱা কথাটো হয়। তই সেইজনী ছোৱালী তালাক দে।" "আৰু কিবা আছে নেকি কব লগীয়া?" "এয়ে।" "মই নুশুনো।" "তোক মই ত্যজ্য কৰিম।" "বহুত দিন আগেয়ে কৰিছে।" "কৰা নাই, কৰিম।" "এই সম্পত্তিত আপোনাৰ কিমান স্বত্ব মই জানো। ধূলি মাৰিলেও মোৰ চকুত ধূলি নপৰে—ই ওৱাক্‌ফ (ধৰ্ম্মোত্তৰ) সম্পত্তি, নিজৰ ভিতৰত কন্দল কৰি শত্ৰু নহঁহুৱাব। সম্পত্তি এৰি দি যোৱাত মোৰ অকণো আপত্তি নাই আৰু আপোনাৰ বাবে হোৱা হলে বোধ হয় মই তাৰ লগতে মোৰ আইৰ ব্যক্তিগত সম্পত্তিও আপোনাক দি গলোহেঁতেন। কিন্তু আপুনি যাৰ লগত ঘৰ কৰিছে—" এনেতে মাহীয়েক আহি ওলাল। মাহীয়েকেই কলে "কোৱা, শেষ কৰা। তোমাৰ জনীৰ দৰে মই আইৰ ঘৰলৈ সাতোটা ভতাৰ বিচাৰি—" "চুপ, কছ্‌বী" বুলি আবুলে চকু ঘোপা কৰি চালে। তেওঁ চকু মোহাৰি "আমাৰ হৈ নো কোনোবা মাতোঁতা আছেনে?" বুলি কান্দোনৰ সুৰ উলিয়ালে। আবুলে তাৰ পৰা ততালিকে আতৰ হ'ল। নামি আহি দেখে যে মজফৰে মোটৰ গাড়ী সাজু কৰি চাই আছে, অৱশ্যে তেওঁৰ বাবে নহয়।" আবুলে মোটৰত উঠিয়ে তাক কলে তেওঁৰ শহুৰেকৰ ঘৰৰ ফালে মোটৰ চলাবলৈ। মোটৰ পদূলিত ৰখাই তেওঁ ওপৰলৈ উঠি গ'ল। শহুৰেকে কলে "কিয় আহিলা বোপা?" "ছফেদাক নিবলৈ।" "এতিয়া গধূলি নালাগে যাব।" "নহয়, মই এতিয়াই নিওঁ বুলি আহিছোঁ।" আবুলৰ মাত অৰু চেহেৰা অস্বাভাৱিক দেখি তেওঁ ঠিকেই অনুমান কৰিছিল যে ঘৰত কিবা কাজিয়া চলিছে, আৰু তাৰেই সংক্ৰান্ত কিবা এটা কাৰণত ছফেদাক নিবলৈ আহিছে। কাজিয়াৰ মূৰত বোৱাৰী ছোৱালী ঘৰলৈ যাই সুখ নাপাব ভাবিয়ে তেওঁ দু-এদিন ছোৱালী পঠিওৱাত পলম কৰিব খুজিছিল। ভাবিলে, কথাৰে যুক্তি-তৰ্ক কৰি থকাতকৈ এখন পাৰ হব নোৱাৰা দেওনা দিলেই কেদিনমানলৈ আবুল ক্ষান্ত হব। তেওঁ কলে—"মোহৰানাৰ ভিতৰত দহ হাজাৰ টকা এতিয়াও বাকী, তাতে শুনিছোঁ পিতেৰাই তোমাক ত্যজ্য কৰিবলৈ ওলাইছে। মই নো ছোৱালীক কিহলৈ চাই পঠিয়াওঁ, তাৰে অন্ততঃ পাঁচ হাজাৰ আজিয়ে দিয়া, বাকী

পাঁচ হাজাৰৰ কথা নহয় পিছত হব।" আবুল ঘপৰাই উঠি ঘৰমুৱা হ'ল, থলিয়া এখনত পাঁচহাজাৰ টকা ভৰাই নি শহুৰেকৰ আগত দি কলে "গণি লওক।" তেওঁ অলপ বিব্ৰত হৈ ভাবিলে,—কি কৰা যায়, ল'ৰামানুহ, খং আৰু অভিমান বৰ বেছি। তেওঁ হাঁহি কলে "বহাচোন। অলপ চাহ জলপান খোৱা, মই হামিদাইতক খবৰ দিওঁ গৈ। বায়েকৰ যোৱা কথা সিহঁতেহে জানে। মাকে নপঠিয়ালে মই জানো ছোৱালী পঠিওৱাৰ গৰাকী?" আবুলৰ শহুৰেক উঠি ভিতৰৰ ফালে গ'ল, অহাত অলপ পলম হোৱা দেখি আবুলে চৰাঘৰটোত উদ্বিগ্ন ভাৱে ঘূৰাঘূৰিকৈ আছে—তেওঁৰ ওঁঠ কামোৰ খোৱা, চকুত স্থিৰ অবিচলিত দৃষ্টি! এনেতে হামিদাই ডালিম এটা লৈ আহি ভিনিহিয়েকলৈ আগ বঢ়াই কলে—"এইটো লৈ যাওক ভিনিহিদেউ, বাইদেউ কালিলৈ গৈ কাটি দিব। আজি তেওঁৰ শৰাই-ঢকাখন ওলোৱা নাই, কালিলৈ সেইখন শেষ কৰিহে যাব।" আবুলে তেওঁৰ কথালৈ ভ্ৰুক্ষেপকে নকৰিলে—তেওঁক মাহীমাকে কেনেকৈ জলা-কলা কৰিছে তাৰে ভাৱতে আছে। শহুৰেকে আহি কলে—"বোপা, বহা।" "নাই, বহিবৰ বেছি সময় নাই। ছফেদা আহিলে মই যাওঁ।" শহুৰেকে কলে—"এটা কথা হ'ল দেখোঁ, মাকে কয়—"বোলে কলে যেতিয়া, দহ হাজাৰৰ কথাকে নকলে কিয়, যিহে মুখৰ মাত নোহোৱা ছোৱালী, নিজেনো কোনোবা দিনা কৈ লব পাৰিব নে? কোৱাই বেয়া আছিল, কলে যেতিয়া গোটেইখিনিৰ কথাই কব লাগিছিল।" "তেনেহলে দহ হাজাৰে লাগে?" "তোমালোকৰ ঘৰৰ যিমানখিনি কীৰ্ত্তি—" আবুলে বৰ অপমানিত বোধ কৰিলে, তেওঁ খঙত আত্মহাৰা হ'ল,—হাতত ইমান পৰে এটা পিস্তল লৈ তাৰ ঘোঁৰাটো পিহি আছিল, তুলি লৈয়ে শহুৰেকলৈ লক্ষ্য কৰি এটা গুলি মাৰিলে, শহুৰেকে কমৰ পৰা ওলাই যাব ধৰিছিল, আন কিবা কামত,—গুলি তেওঁৰ গাত নালাগি বাহিৰত চাই থকা হামিদাৰ কপালত ফুটিল। "উঃ" বুলি হামিদা কঁপিবলৈ ধৰিলে—"কাৰবাক মাৰিলোঁ" বুলি দ্বিতীয় গুলি শহুৰেকৰ মূৰলৈ চাই মাৰিলে—ছফেদা বাউলী হৈ আহি ভিতৰ সোমাল, ঘৰৰ বাহিৰৰপৰা আন এটা পিস্তলৰ গুলি আহি ছফেদাৰ বাহুত পৰিল। ছফেদা বাগৰি পৰিল—আবুলে দেখিলে, মজফৰে গুলিয়াইছে—তেওঁ কলে "ওঃ! তোৰ পাষণ্ডৰ গুলিত মোৰ ছফেদাক কিয় মৰিবলৈ দিম, মৰিলে মোৰ হাতত মৰিব।" আবুলে পিস্তলৰ শেষ গুলি ছফেদাৰ বুকুত মাৰিলে—কোমল কাতৰ বুকু পুলকত কঁপি উঠিল, চিৰ্ চিৰ্কৈ ওলোৱা করুণ তেজে সুঠাম বুকু ৰাঙলি কৰিলে। আবুলে ছফেদাক আবেগেৰে আকোঁৱালি ধৰি মজফৰলৈ চাই কলে—"তোৰ কিমান গুলি আছে বৰষি থাক, আৰু এই বাৰ্ত্তা পিশাচিনীক কবি গৈ।" মজফৰৰ নিৰ্দ্দয় গুলিৰ সংঘাতত তেওঁৰ চকুত জুইৰ ফিৰিঙ্গটি উফৰিল। বাহুৰ গাঢ় বন্ধন তথাপি শিথিল নহ'ল।



কামৰূপ ভাস্কৰ্য্য আৰু স্থাপত্য

—ৰায় বাহাদুৰ শ্ৰীযুত কণকলাল বৰুৱা

'আৱাহন'ত গান্ধাৰ ভাস্কৰ্য্যৰ সম্পৰ্কে প্ৰবন্ধ পঢ়ি কামৰূপ ভাস্কৰ্য্যৰ বিষয়ে অলপ অচৰপ আলোচনা কৰিবলৈ মন গ'ল। "অসম" নাম অতি আধুনিক। খ্ৰীঃ সপ্তদশ শতিকাৰ পূৰ্ব্বে এই নামৰ ব্যৱহাৰ নাছিল। তেতিয়াও বৰ্ত্তমান কামৰূপ আৰু গোৱালপাৰা জিলাৰ বাহিৰে বাকী অসম উপত্যকাৰ ঠাইখিনিকেহে অসম বোলা হৈছিল। আহোমবিলাকৰ আগমনৰ পূৰ্ব্বে গোটেই অসম উপত্যকা, কোচবিহাৰ, জলপাইগুৰি, ৰংপুৰ আৰু মৈমনসিংহ জিলালৈ বিদেশ তাৰে নাম কামৰূপ আছিল। তাৰো বহুত পূৰ্ব্বে গঙ্গাৰ উত্তৰৰ গোটেই গৌড়দেশ পশ্চিমে কৌশিকা নদীলৈকে কামৰূপ-ৰাজসকলৰ ৰাজ্যৰ ভিতৰত ভুক্ত আছিল। এই বিস্তীৰ্ণ কামৰূপ ৰাজ্যৰ ভাস্কৰ্য্যৰ সম্পৰ্কেহে এই প্ৰবন্ধত আলোচনা কৰা যাব।



১। গুৱাহাটীৰ বোধ জনাৰ্দ্দন মূৰ্ত্তি

কামৰূপৰ অতি প্ৰাচীন ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰ গুৱাহাটীৰ দুমাইল দক্ষিণে "দিচপুৰ", নামে যি গাওঁ



২। গুৱাহাটীত পোৱা অনুমান মহাপ্ৰতিসৰাৰ মূৰ্ত্তি।

বৰ্ত্তমানে আছে সেয়ে এতিয়ালৈকে পুৰণি প্ৰাগ্‌জ্যোতিষপুৰৰ নাম ৰাখিছে। উত্তৰে ব্ৰহ্মপুত্ৰ, দক্ষিণে নৰকাসুৰ পৰ্ব্বত আৰু গণেশগুৰি, পূবে চিত্ৰাচল বা নৱগ্ৰহ পৰ্ব্বত আৰু পশ্চিমে ৺কামাখ্যাধাম—এই ঠাইখণ্ডৰ ভিতৰতে ঘাইকৈ প্ৰাগ্‌জ্যোতিষপুৰৰ প্ৰাচীন ভাস্কৰ্য্য আৰু স্থাপত্যৰ চিন বিচাৰিব লাগে। এই ঠাইখণ্ডৰ ভিতৰতে কেবাটাও দেৱালয় আছে, যেনে ছত্ৰাকাৰ, উগ্ৰতাৰা, শুক্ৰেশ্বৰ, বোধজনাৰ্দ্দন আৰু কামাখ্যা। ইয়াৰ বাহিৰে নদীৰ মাজত আছে উমানন্দ আৰু উত্তৰ গুৱাহাটীত আছে অশ্বক্ৰান্ত। এইবিলাকো প্ৰকৃততে প্ৰাগ্‌জ্যোতিষপুৰৰ ভিতৰতে।

আমাৰ দেশ ভূমিকম্পৰ দেশ, গতিকে কামৰূপৰ ৰজাসকলে বন্ধোৱা মন্দিৰবিলাক এতিয়া নাই; আছে মাত্ৰ সেই মন্দিৰবিলাকৰ ভগ্নাৱশেষ। এই ভগ্নাৱশেষৰ পৰা বহুত মূৰ্ত্তি-কটা শিল, পালিছ কৰা শিল আৰু ইটা আহোম



৩। কামৰূপ অনুসন্ধান সমিতিৰ মিউজিয়মত থকা বুদ্ধ মূৰ্ত্তি

মূৰ্ত্তিৰ তলত ১১ শতিকাৰ আখৰেৰ লিখা "যে ধৰ্ম্মাণি ইত্যাদি" বৌদ্ধ মন্ত্ৰ।

ৰজাসকলৰ দিনত মন্দিৰবিলাক পুনৰ্নিৰ্ম্মাণ কৰা সময়ত ব্যৱহাৰ কৰা হৈছিল। আকৌ ১৮৯৭ চনৰ ভূমিকম্পত এই মন্দিৰবিলাক ভাগি যোৱাত সেই ইটা শিলকে ব্যৱহাৰ কৰি এতিয়া ঠিয় হৈ থকা মন্দিৰবিলাক সজা হৈছে। শিৱমন্দিৰ বিলাকত যি বিলাক লিঙ্গ স্থাপিত আছে তাত ভাস্কৰ্য্যৰ চিন বিশেষ নাই। কোনো শিৱ মন্দিৰৰ লিঙ্গ সোণৰ আছিল। হাটক অৰ্থে সোণ, হাটকেশ্বৰ শিৱৰ লিঙ্গ সোণৰ আছিল। শুক্ৰেশ্বৰ পাহাৰৰ তলৰ বোধ-জনাৰ্দ্দন মূৰ্ত্তি এটি বিশেষ চিন। এই মূৰ্ত্তি লৰাব নোৱাৰি, প্ৰকাণ্ড শিলৰ গাত খোদাই কৰা। ই চতুৰ্ভুজ বিষ্ণু মূৰ্ত্তি। মহাৰাজ ৰুদ্ৰসিংহৰ দিনত গুৱাহাটীৰ দেৱালয় আৰু দেৱমূৰ্ত্তি বিলাকৰ এখনি লিষ্ট কৰা হৈছিল "স্বৰ্গনাৰায়ণ মহাৰাজাৰ আখ্যান" নামে এখনি হাতে লিখা বুৰঞ্জীপুথিত এই লিষ্টখন আছে। * ইয়াত এই মূৰ্ত্তিৰ নাম "বোধজনাৰ্দ্দন" লিখা আছে। ই কিন্তু বুদ্ধমূৰ্ত্তি নহয়। ১নং ছবি এই মূৰ্ত্তিৰ।

গুৱাহাটী নগৰৰ উজানবজাৰ খণ্ডৰ প্ৰায় আধা ভাগ জুৰি এটি চাৰিকোণীয়া গড়ৰ চিন আছিল। এই গড়ৰ তলভাগ শিলৰ আৰু ওপৰৰ ভাগ ইটাৰ আছিল। মই সৰুতে স্কুলত পঢ়া সময়ত এই গড় খান্দি ইয়াৰ শিলবিলাক উলিয়াই ভাঙ্গি তাৰে ৰাস্তাৰ metal কৰা দেখিছোঁ। কিছুমান শিলত মূৰ্ত্তি কটা আছিল। তেনে মূৰ্ত্তিকটা শিল কিছুমান কোনোৱে কোনোৱে নি ৰাখি থলে আৰু তাৰে কেখনিমান এতিয়া কামৰূপ অনুসন্ধান সমিতিৰ মিউজিয়মত আছে। ২নং তাৰে এটিৰ ছবি। মূৰ্ত্তিটি অষ্টভুজা বা দশভুজা। ই অনুমান বৌদ্ধ ভ্ৰূকুটি নাইবা মহাপ্ৰতিসৰাৰ মূৰ্ত্তি। ইয়াৰ মূৰত এটি চৈত্য। 'সাধনমালা' নামে বজ্ৰযান বৌদ্ধ গ্ৰন্থ অনুসাৰে মহাপ্ৰতিসৰা "গৌৰবৰ্ণা



৪। শ্ৰীযুত জগবন্ধু দাসৰ নামঘৰৰ বুদ্ধ মূৰ্ত্তি

* এই পুথিখন কামৰূপ অনুসন্ধান সমিতিৰ লাইব্ৰেৰীত আছে।

দ্বিষ্টবৰ্ণাকৃতি চৈতালঙ্কৃত মূৰ্দ্ধা চন্দ্ৰাসনস্থা সূৰ্য্যমণ্ডলাগীঢ়া বজ্ৰ পৰ্য্যঙ্কিনী ত্ৰিনেত্ৰা অষ্টভুজা চতুৰ্ম্মুখা চলৎ-কুণ্ডল-



৫। অনন্তশায়ী বিষ্ণু, অশ্বক্ৰান্ত

শোভিতা, হাৰনূপুৰভূষিতা, কনক-কেয়ূৰ-মণ্ডিতা মেখলা সৰ্ব্বালঙ্কাৰ ধাৰিণী।" ৩নং মূৰ্ত্তি terra cotta plaque অৰ্থাৎ মুমাৰ মাটিৰ slab তৈয়াৰ কৰি তাত বুদ্ধমূৰ্ত্তিৰ ছাব মাৰি পিছত ভুইত পুৰি তাক শকত কৰা হৈছে। ইয়াত বজ্ৰাসনত বুদ্ধ, ভূমিস্পৰ্শ মুদ্ৰা অৰ্থাৎ সোঁহাতে মাটি ছুই আছে। বুদ্ধই নিৰ্ব্বাণ লাভৰ সময়ত পৃথিবীক সাক্ষী কৰিছে। এই মূৰ্ত্তিৰ তলত ১১শ শতিকাৰ আখৰেৰে মহাযান বৌদ্ধ মন্ত্ৰ লিখা আছে। উজান বজাৰৰ গড় খানোতে এই মূৰ্ত্তি পোৱা হৈছিল, এতিয়া অনুসন্ধান সমিতিৰ মিউজিয়মত আছে। ৪নং মূৰ্ত্তি বৰ্ত্তমানে উজান বজাৰৰ শ্ৰীযুত জগবন্ধু দাসৰ নাম ঘৰত আছে, পূৰ্ব্বে গড় খানোতে পোৱা হৈছিল। ইও বুদ্ধমূৰ্ত্তি, অভয় মুদ্ৰা, বুদ্ধই



৬। হাকপ্পেশ্বৰৰ ৰাজ প্ৰাসাদৰ তোৰণ স্তম্ভ



৭। ৰাজ প্ৰাসাদৰ ভিতৰৰ স্তম্ভৰ তললৈ মুখ কৰি থকা পদ্মাকৃতি মুকুট

শিষ্যক অভয়দান কৰিছে। এসময়ত যে বৌদ্ধধৰ্ম্ম কামৰূপত প্ৰচলিত আছিল এই মূৰ্ত্তিবিলাকৰ পৰা ভালকৈ বুজা যায়। ৫নং ছবিত উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্ত দেৱালয়ৰ অনন্তশায়ী বিষ্ণুমূৰ্ত্তি, সন্মুখত বংশীবদন। ইয়াৰ কাৰুকাৰ্য্য অতি সুন্দৰ। ভাৰতবৰ্ষৰ অন্য ঠাইত অনন্তশায়ী নাৰায়ণৰ মূৰ্ত্তি পোৱা হৈছে, কিন্তু কোনোটি এনে সুন্দৰ নহয়। ই অনুমান দশম বা একাদশ শতিকাৰ মূৰ্ত্তি।



৮। বামনি পাহাৰৰ ধ্বংসাৱশেষ, আংশিক চিত্ৰ। খৃঃ নৱম শতিকাৰ মাজ ভাগৰ কীৰ্ত্তিৰ চিন।

প্ৰাগ্‌জ্যোতিষপুৰৰ পাছত হাৰুপ্পেশ্বৰ বা হাটপেশ্বৰ (বৰ্ত্তমান তেজপুৰ) কামৰূপৰ ৰাজধানী হয়। তাত বহুত ভগ্নাৱশেষ আছে। তেজপুৰ নগৰৰ কোল পাৰ্কত যি বিলাক অৱশেষ সজাই থোৱা হৈছে আৰু যি বিলাক চাহাবৰ বঙ্গলাৰ দুৱাৰ মুখে দুৱাৰ মুখে সজাই থোৱা আছে, এই এটাইবিলাক অনুমান ৰাজপ্ৰাসাদৰ ভগ্নাৱশেষ। বৰ্ত্তমান যি ঠাইত কাছাৰী ঘৰ আছে তাতে অনুমান ৰাজপ্ৰাসাদ আছিল। ৬নং ছবি ৰাজপ্ৰাসাদৰ তোৰণ। ৭নং ছবি ৰাজপ্ৰাসাদৰ ভিতৰত স্তম্ভৰ ওপৰৰ মুকুট, পদ্মফুল আঁকা ফাল তলৈ মুখ কৰি আছিল। এই ৰকম পদ্মফুল আঁকা স্তম্ভ মুকুট (lotus capital) মৌৰ্য্য বংশৰ সময়ৰ বুলি বৰ্ত্তমানে ধৰা হৈছে। * এনে মুকুট কেবাখনিও পৰি আছে আৰু স্তম্ভৰ কেবাডোখৰো এতিয়াও আছে। বলবৰ্ম্মাৰ তাম্ৰশাসনত লিখা আছে যে তেওঁৰ পিতামহ বনমালবৰ্ম্মাই অনুমান নৱম শতিকাৰ মাজ মানত এই প্ৰাসাদ নিৰ্ম্মাণ কৰিছিল আৰু এই প্ৰাসাদ বিশেষ চিত্ৰযুক্ত আছিল।

তেজপুৰ নগৰৰ প্ৰায় দুমাইল পূৱে ব্ৰহ্মপুত্ৰৰ পাৰ ভৈৰৱীৰ মন্দিৰ। তাৰ কাষতে এটি সৰু টিলাৰ ওপৰত এটা প্ৰকাণ্ড মন্দিৰৰ ভগ্নাৱশেষ আছে। এই টিলাটিৰ নাম

* Origin of the lotus capital.
I. H. Q. Vol. VII No.

বামুণী। কাৰো কাৰো মতে ইয়াৰ নাম বামনি, কাৰণ এনে অৱতাৰত বাণাসুৰৰ পিতৃ বলিক ছলনা কৰিছিল আৰু তেজপুৰ বা শোণিতপুৰেই বাণাসুৰৰ ৰাজধানী। আমি প্ৰাগৈতিহাসিক যুগৰ কথা লৈ আলোচনা কৰিব নোখোজোঁ। বামুণী পাহাৰৰ ভগ্নাৱশেষ বিলাক যে ঐতিহাসিক যুগৰ তাৰ কোনো সন্দেহ নাই। বনমাল বৰ্ম্মাই নৱম শতিকাৰ প্ৰথমভাগৰ এটি প্ৰকাণ্ড শিৱমন্দিৰ পুনৰ্নিৰ্ম্মাণ কৰিছিল। সেইটিয়েই এই মন্দিৰ যেন অনুমান হয়। টিলাটিৰ গোটেই ওপৰভাগত আৰু তাৰ চাৰিও মেৰে অসংখ্য ফুলকটা আৰু কৰ্কটা শিল পৰি আছে। চাৰিওফালে টিলাৰ দেৱালয় ও ভেটি (foundation) এতিয়াও দেখা যায়। ৮নং ছবি ভগ্নাৱশেষ বিলাকৰ আংশিক চিত্ৰ। এই ভগ্নাৱশেষ বিলাকৰ মাজত এখনি কলা পাথৰত খোদাই কৰা সুন্দৰ মূৰ্ত্তি এটিও আছে। ৯নং ছবি ভগ্নাৱশেষবিলাকৰ অন্য আংশিক চিত্ৰ।



৯। বামণি পাহাৰৰ আংশিক চিত্ৰ; প্ৰবন্ধ লিখক আৰু এজন বন্ধু।



১০। দহ পৰ্ব্বতীয়াৰ মন্দিৰৰ দুৱাৰ মুখ। তেজপুৰৰ ওচৰত।

ভাস্কৰ্য্য গুপ্তযুগৰ পিছত যেন অনুমান হয়। ভিনচেণ্ট স্মীথৰ মতে ভাৰতীয় ভাস্কৰ্য্যৰ গুপ্তযুগ খ্ৰীঃ চতুৰ্থ শতিকাৰ মাজৰ পৰা সপ্তম শতিকাৰ মাজলৈকে। তেজপুৰৰ চাৰিমাইল পশ্চিমে দহপৰ্ব্বতীয়া গাওঁৰ ওচৰত এটি মন্দিৰৰ ভগ্নাৱশেষ পোৱা হৈছে। এই মন্দিৰৰ এতিয়াও তোৰণ দুৱাৰ খনি বৰ ভাল অৱস্থাত আছে। ১০নং ছবি এই তোৰণ দ্বাৰৰ প্ৰতিকৃতি। কামৰূপ ভাস্কৰ্য্য আৰু স্থাপত্যৰ ইয়াতকৈও ভাল দৃষ্টান্ত বোধ কৰোঁ এতিয়ালৈকে ওলোৱা নাই। ৺ৰাখাল দাস বানাৰ্জীয়ে এই মন্দিৰ গুপ্তযুগৰ

বুলি ধৰিছে, কাৰণ সেই যুগেই ভাৰতবৰ্ষীয় ভাস্কৰ্য্যৰ চৰম উন্নতিৰ যুগ (*)। মোৰ এনে অনুমান হয়



যে এই মন্দিৰদ্বাৰ গুপ্তযুগলো প্ৰথম ভাগৰ, কিয়নো আকৃতিত এই দুৱাৰ নাচনা কুঠাৰৰ শিৱমন্দিৰৰ দুৱাৰৰ নিচিনা আৰু শ্ৰীযুত কুমাৰ স্বামীৰ মতে নাচনাকুঠাৰৰ মন্দিৰ অনুমান পঞ্চম শতিকাৰ মাজমানত তৈয়াৰ কৰা হৈছিল। ভুমৰাৰ শিৱমন্দিৰৰ দুৱাৰমুখখনিও এনেকুৱা ১১নং, ছবি নাচনা কুঠাৰৰ দুৱাৰমুখ আৰু ১২নং ছবি ভুমৰাৰ মন্দিৰৰ দুৱাৰমুখ। ১০নং ছবিৰে বিজাই চালে পৰ্ব্বতীয়াৰ দুৱাৰমুখ ভালেখিনি উৎকৃষ্ট দেখা যায়। ইয়াত দুইফালে অনুমান গঙ্গা আৰু যমুনাই হাতত মালাটৈ আছে। দুইফালে river god and goddess বা guardian angelsৰ অৰ্দ্ধ শৰীৰৰ মূৰ্ত্তি দেখা যায়। Arabesque লতাকটা আৰু ফুলকটা কাম গুপ্তযুগৰ এটি ঘাই চিন, এই তোৰণ দ্বাৰত স্পষ্ট দেখা যায়। যদি মোৰ অনুমান সঁচা হয় তেন্তে শ্ৰীঃ পঞ্চম শতিকাত এই মন্দিৰ

(*) Plastic art of the Gupta Period.

নিৰ্ম্মাণ কৰা হৈছিল। এই সময় পুণ্যবৰ্ম্মাৰ বংশৰ বহা সকলৰ সময়। অনুমান এই মন্দিৰ শিৱগুৰু মন্দিৰ নাছিল। এইটি বৌদ্ধমন্দিৰ নহয়, শিৱ নাইবা বিষ্ণু মন্দিৰ। তেজপুৰৰ ৰাজপ্ৰাসাদৰ স্তম্ভ আৰু শিৰাদিৰ ওপৰৰ frieze বিলাক মৌৰ্য্য সময়ৰ স্থাপত্যৰ অনুকৰণত কৰা যেন অনুমান হয়। কামৰূপ স্থাপত্যত bell shaped capital প্ৰায় দেখা নাযায়। বামুণীৰ বাহিৰৰ তোৰণৰ স্তম্ভ মুকুটত সিংহৰ মূৰ্ত্তিৰ নিচিনা চিত্ৰ আছে।

অতি চুৰুক ভাৱে কামৰূপ ভাস্কৰ্য্য আৰু স্থাপত্য সম্পৰ্কে দুই চাৰি আষাৰ লিখা হ'ল। উদ্দেশ্য আমাৰ দেশ মানুহৰ দৃষ্টি আকৰ্ষণ কৰা। ভাস্কৰ্য্যৰ চিনবিলাক নাশে লাহে লোপ পাইছে। আমাৰ দেশত আজিলৈকে Archaeological departmentৰ কোনো কাম হোৱা নাই। আজি গৰ্য্যন্ত আমাৰ দেশত এটি মিউজীয়ম হোৱা নাই। বৰ্ত্তমান সময়ত কেন্দ্ৰীয় আৰু প্ৰাদেশিক গৱৰ্ণমেণ্টৰ টকাৰ নাটনি, কিন্তু ৩।৪ বছৰ পূৰ্ব্বে টকাৰ নাটনি নাছিল। সেই সময়ত মনোযোগ কৰা হলে একৰাশ টকা খৰচ কৰি ওৱাহাটীত স্বচ্ছন্দে মিউজীয়াম কৰিব পৰা হ'ল হেঁতেন। এতিয়া প্ৰাদেশিক গৱৰ্ণমেণ্টৰ আৰ্থিক অৱস্থা



১২। ভুমৰাৰ শিৱ মন্দিৰৰ দুৱাৰ মুখ।

ভাল নোহোৱালৈকে বাট চাই থাকিব লাগিব যেন লাগিছে। কামৰূপ অনুসন্ধান সমিতিৰো আৰ্থিক অৱস্থা ভাল নহয়। মই আজি ৪ বছৰ এই সমিতিৰ সভাপতি থাকি নিজৰ তত্ত্বাবিলৰ টকাৰে কোনো কোনো কাৰ্য্য কৰাব লগত পৰিছে। অসমৰ সকলো শিক্ষিত লোকেই এই সমিতিৰ সভ্য হোৱা উচিত। সভ্যৰ সংখ্যা ২।৩ হেজাৰ মান হলে সমিতিয়ে বহুতকাম কৰিব পাৰে।

এই প্ৰৱন্ধত যিবিলাক ছবি দিয়া হৈছে তাৰ অধিক মোৰ ইংৰাজী ভাষাত লিখা "Early History of Kamarupa" নামে গ্ৰন্থৰ নিমিত্তে গোৱা। এই গ্ৰন্থৰ ছপা এতিয়াও শেষ হোৱা নাই।

ৰূপৰ পোহাৰী

—কবিতা

—শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা বি-এ

অকণ মান পোহাৰী তোৰ অকণ, মানি পোহাৰ,
গাচিৰ তোৰ পোহাৰ মিছা, মুখত ৰূপৰ জোঁৱাৰ,
হিয়াত ভৰা সৰল মৰম মাতত নো কি মধুৰ,
তেজী চকুৰ তলৰ মুখত ভাৰটি ফুটে গধুৰ।
হাঁহিত তোৰ ফুল ববৰে খোঁজত মোহে মন,
পাচিৰ পোহাৰ বেহাই তইনো পাবি কিটো ধন ?

* * * *

তইহে জনা নাই পোহাৰী তইহে জনা নাই
এনা ধনত হেঁপাই পলাই ৰূপৰ পোহাৰ চাই।
এদিন মাৰ্গো সুখ দিবি তই, এদিন মাৰ্গো সুখ,
কিনি ললে পাচিৰ সমল, এদিন ভৰে মুখ,
(তোৰ) এনা ধনৰ ৰূপৰ খনি মনত সোমাল মোৰ,
পাহবিলোঁ জীৱন মৰণ, পাচিৰ পোহাৰ তোৰ,
এদিন নহয় দুদিন নহয় ভাবিম কত দিন,
এনা ধনৰ সমল তোৰ নাযায় বেগত জীন।

* * * *

অকণ মান পোহাৰী তই স্বৰূপ লবি জানি,
পোহাৰ তোৰ বেহাই থাক অকণ নহয় হানি।
চাচোঁ সৌ মোৰ ফুলনিত ফুলিল গোলাপ ফুল,
দুবত থাকিও অধুৰ হিয়া ৰঙত বিয়াকুল,
চাই থাকো মই কাষ নাচাগোঁ চুলেই পৰে জঁহ,
সেই দেখি নিতে, ন ফুল ফুলি, নকুন বাৰ্ত্তা কয়।

* * * *

অকণ মান পোহাৰী তই মুবত পোহাৰ লই,
গৈ থাকিবি ৰঙাৰ বাটত ৰূপৰ পোহাৰ বই।
জীৱন মৰণ পাহবোঁ হেৰ দুবতে দেখি তোক,
এই দৰে তই পাহবাই থাক বিবহ বেজাৰ শোক,

* * * *

পাচিৰ পোহাৰ নেবেহাওঁ মই ৰূপৰ পোহাৰ চাওঁ,
সেইফালে তই গৈ থাকিলেই সকলোটিকেই পাওঁ।

মোৰ সোৱঁৰণী

(৩য় বছৰৰ ১০ম সংখ্যাত ওলোৱাৰ পাছৰপৰা)

—শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা

ওলটা-যাত্ৰা।—সেই দিনা মোক আগবঢ়াই থবলৈ অহা মোৰ সমনীয়া প্ৰিয়বন্ধু ৺ইন্দ্ৰধৰ বাজখোৱা আৰু ৺শৰচ্চন্দ্ৰ সেনবে সৈতে লগ লাগি আহোঁ নাহোঁকৈ এখোজ আগলৈ এখোজ পিচলৈকে আহি আহি ৫ পাঁচ মাইলমান অহাৰ পাচত, সন্ধিয়া পৰত অগত্যা বিদায় দিয়া সোৱা কৰি চকুলো টুকি টুকি তেওঁলোক দুজন টাউনলৈ উলটিল, মই সেই একে অন্তস্থাপন্ন হৈ আমাৰ গাড়ীখনৰ পিচে পিচে খোজ কাঢ়ি বহুবাট আহিলোঁ। মাজে মাজে কেইবা বাৰো উলটি উলটি চোৱাচুইকৈ তেওঁলোক আৰু মই কোৱাকুইকৈ বাট বুলিছিলোঁ; কিন্তু অকোৱা-পকোৱা পৰ্ব্বতীয়া বাটত ঠাইতে গা ওলায় আৰু ঠাইতে লুকায় কাৰণে, মুঠেই তিনিবাৰহে আমি নিলগৰ

পৰা দেখাদেখি হৈছিলোঁহঁক। তাৰ পাচত, গৃহিণীৰ অনুৰোধ অনুসৰি ময়ো গাড়ীত উঠি ললোঁগৈ। গৰু খোজেৰে গাড়ী ধীৰে ধীৰে চলিবলৈ ধৰিলে। মোৰ মনৰ বিচ্ছেদজনিত বিষাদ গুচাবৰ বুদ্ধিৰে তেওঁ ছেগ ধৰি ধৰি দোপাশৰ গভীৰ গুহাৰ ফালে চাই চাই 'ইটো কি? সিটো কি' কৈ প্ৰশ্ন কৰি মোক ক্ৰমাৎ বিচ্ছেদ পাহৰাবলৈ ধৰিলে। সেই ভাৱে গৈ গৈ জুবজা নামে এটা আড্ডা পালোঁগৈ। সিমানতে ৰাতি দুপৰমান হ'ল। মোৰ অনুমতি লৈ গাড়োৱানে তাতে গাড়ী খুলি ৰাতিটো জিৰাবলৈ যো-যা কৰিলে। তাৰ লগে লগে ছেগ চাই গৃহিণীয়ে আমাৰো এমুঠি ভাতৰ দিহা লগাবলৈ বুলি গাড়ীৰ পৰা নামি আহি লগুৱাক লগাই কাৰবাৰত ধৰিলে। সেই ছেগতে মই লাহেকৈ নামি গৈ জুবজা জুৰি-নৈৰ বুকুত বুকু পাতি থকা এচপৰা পাথৰৰ আসনত বহি ললোঁগৈ। জোনাক ৰাতি। আকাশৰ কেনিও কতো মেঘ এচিকটাও নাই। চতুৰ্দ্দশীৰ জোনে ফট্‌ফটীয়া পোহৰ মেলি চকুৰে মনিব পৰা-লৈকে পৃথিবীৰ সেই পৰ্ব্বতীয়া ভাগ দিন যেন পোহৰ কৰি থৈছিল। এনে কি, জুৰিটিৰ নিজনি পানীত মুকলি মূৰীয়াকৈ চৰি ফুৰা শিলঘৰীয়া মাছ আৰু তাৰ সৰু সৰু পোৱালীবোৰে পাখি মেলি মেলি নাচি ফুৰা, আৰু তাৰে পৰা পূবে কহিমা টাউনলৈকে একেকঠি দীঘলী গুহাটিৰ তলি পৰিমিত ফট্‌ফটীয়াকৈ দেখা গৈছিল। প্ৰকৃতিৰ সেই গুপ্ত শোভা চাই চাই মই আপোন-পাহৰা হৈ ৰ'লাগি ৰলোঁ। তাৰ পাচত, মূৰ দাঙ্গি পূব ফালে চাই পঠিয়াওঁ যে, মোৰ মনোমোহা কহিমা নগৰীখন আকৌ মোৰ চকুৰ আগতে! সেই কেণ্টন্‌মেণ্ট চাপৰি, য'ত এই একে-কঠি দীঘলী গুহাটিয়ে উজাই গৈ শিতান পাতিছেগৈ; সেই মোৰ হেঁপাহৰ সাহিত্য-মন্দিৰ, যি সেই চাপৰিৰ পছিম পাশত থিয় হৈ মোৰ ফালে তেতিয়াও চাই আছিল; সেই ওখ কিল্লাৰ মাজত কাছাৰি ঘৰ, য'ত মোৰ সেই অন্তৰতম বন্ধু দুজনে বিষয়-ববীয়া চৰ্কাৰী কাম কৰে; সেই 'যাদুচাহাৰ বঙলা'; সেই মোৰ এৰি অহা বহা; এই সবাৰোপৰি, সেই কহিমা পৰ্ব্বতৰ টিং, য'ত মোৰ এৰি অহা নগা ছাত্ৰ-ছাত্ৰীবৃন্দে বাস কৰে, য'ত মই নগা-গেনা চাই মেলি বিমোহিত হওঁ। আৰু য'ত সৰল আৰু সৰলা নগা ডেকা আৰু নাগিনী গাভৰুৰে সৈতে সততে মই লীলা-খেলা কৰোঁ! সেই আটাইবোৰ দৃশ্যই লগ লাগি যুটীয়া বলেৰে মোক দাঙ্গি লৈ উৰুৱাই নি আকৌ কহিমা লোৱালেগৈ। মহাৰঙ্গে মই ভ্ৰমিবলৈ ধৰিলোঁ। জুবজা জুৰিৰ বুকুত পাথৰ চটাৰ ওপৰত মোৰ ভেলাটো মাথোন চৰগ-পৰা শৰীৰটোৰ দৰে বহি থকাতে থাকিল, মই গৈ আকৌ মোৰ সেইকালৰ লীলাভূমিত বিহাৰ কৰিবলৈ ধৰিলোঁগৈ। এনেতে, চাত্‌কৰে মনত পৰিল মোৰ গৃহিণীলৈ, বাটৰ কাণত আমাৰ বাটকৰা ভোজনলৈ তেওঁৰ দিহা কৰণলৈ আৰু আমাৰ বাটঘৰ সেই গাড়ীখনলৈ। টোপনিৰপৰা খক্‌মক্‌কৈ উঠি বাট খেপিৱাৰ দৰে মই নৈৰ বুকুৰপৰা খপৰজপৰকৈ উঠি আহি দেখোঁ যে, আমাৰ বাটভোজন যুগুত কৰি উঠি গৃহিণীয়ে মোলৈ বাট চাই আছে। মই কাকো একো নকৈ ততালিকে তেওঁৰ কাষ চাপি ভাতৰ পাতত বহিলোঁগৈ। তাৰ পাচত, আমি পৰম তৃপ্তিৰে সেই বাটকৰা আহাৰ ভোজন কৰি উঠি ৰাতিটোলৈ গাড়ীত উঠি শুই থাকিলোঁগৈ।

পিচদিনা, উষা-পোহৰতে গাড়োৱানে গাড়ী চলাই দিলে। তাৰপৰা ভালেমান বাট অহাৰ পাচত হে মই সাৰ পাইছোঁ। তাৰ পাচত টিঙ্গিমাপানী নামে সৰু আড্ডা এটাত, অলপ পৰৰ নিমিত্তে গাড়ী ৰখাই লৈ, তাতে আমি প্ৰাতঃকৃত্য সমাপন কৰি ললোঁ। বাটত আৰু কতো ৰবৰ মন নগ'ল; মাথোন টিফিমাপানী নামে আন এটা সৰু আড্ডাত ক্ষন্তেকমান ৰৈ, তাতে জা-জলপান খাই লৈ উঠি, একেবাৰে নিচুগাৰ্ড নাপাওঁ গৈ মানে গাড়ী আৰু নৰখাবলৈ গাড়োৱানক আদেশ দিলোঁ। একেৰাহে গাড়ী চলিবলৈ ধৰিলে। একেচিপতে দুটা আড্ডা পাৰ হৈ আহি আহি সন্ধিয়া পৰত মোৰ পুৰণি চিনাকি নিচুগাৰ্ড আড্ডা পালোঁহি। তাতে, চৰ্কাৰী জিৰণি বঙলা ঘৰৰ সমুখতে গাড়ী ৰখাই লৈ মই নামি পৰিছোঁ, এনেতে ওপৰৰ কিল্লাৰ পৰা মোৰ পুৰণি বন্ধু ৰেজিমেণ্ট জামাদাৰ এজনে দেখা পাই, ৰং মনেৰে আমাৰ গাড়ীৰ কাষলৈ নামি আহিল। তেওঁ আগেয়ে কহিমাত ৰেজিমেণ্টৰ

জামাদাৰ আছিল; মাহদিয়েকৰ আগতে মাথোন তেওঁ নিচুগাৰ্ড কিল্লাৰ অধ্যক্ষ হৈ আহিছিল। তেওঁ বৰ আখেৰেথে আমাৰ শুশ্ৰূষাৰ কাৰণে যো-যা কৰিব ধৰিলে। লগত, আমাৰ লগুৱাটো লৈ, মোক কলে, "আপোনাসকলে সৌ জিৰণি বঙলাত গৈ জিৰাওক গৈ; মই আহাৰ-পানৰ সকলো যোগাৰ কৰি দিওঁ।" সেই সুছেগতে, গৃহিণীৰে সৈতে মই হৰ্ষ বিহ্বল চিত্তে নিচুগাৰ্ডৰ খল্‌খলাই হাঁহি থকা নৈখনিৰ পাৰত থিয় দিলোঁ গৈ। দেখিলোঁ যে, আমি নৱ-দম্পতী হৈ অহা যাত্ৰাত যিচটা শান্তিশিলাই চামৰপীৰাত তোলাদি আমাদুইক তুলি ধৰি আৰৰিছিল, এতিয়াও সেই শান্তিশিলাই আসন পাতি আমাক সাদৰে আহ্বান কৰিব লাগিছে! আমি দুয়ো হাত ধৰাধৰিকৈ শিলনিৰ ওপৰে পানী ভাঙ্গি গৈ গৈ সেই শান্তি-পীৰাখনিৰ শুশ্ৰূষা গ্ৰহণ কৰিলোঁ গৈ। গৃহিণী গাতে লাগি থকাত যদিও মোৰ নীৰলা ভাবৰ উদ্গীৰণলৈ সুচল নঘটিল, তথাপি সাংসাৰিক সুখ সঙ্গেৰে মোৰ চিৰ লগৰীয়া প্ৰাকৃতিক সুখ দৃশ্য উপভোগৰপৰা মই বঞ্চিত হোৱা নাছিলোঁ; মাজে মাজে মাথোন মনতে এই প্ৰশ্ন উঠিছিল যে, "সেয়েই নে কি মোৰ শেষ সম্ভোগ?"

হিড়িম্বানগৰত এভুমুকি —যথা সময়ত সুমৰিবলৈ পাহৰিলোঁ যে, মোৰ কহিমা বিদায়ৰ মাহদিয়েকৰ আগতে মই নগা 'হিল' জিলাৰ এলেকাৰ ডিমাপুৰ হাতী-মহলটো খেদাচিকাৰ কৰাবলৈ বুলি ডাকি লৈছিলোঁ। পিচে, চৰ্কাৰী চাকৰীয়ালৈ তেনেকুৱা ব্যৱসায় অবৈধ হেতুকে, মহলটো মোৰ নামৰপৰা খাৰিজ কৰাই, মোৰ বৰককাইদেৱ ৺কণনাথ গোহাঞি বৰুৱাৰ নামত লগাই লৈছিলোঁ। সেই আপাহতে তেওঁ আমাৰ উত্তৰ লক্ষ্মীমপুৰৰ ঘাই ঘৰৰপৰা নিজা তিনটা কুল্কী হাতীৰে সৈতে গৈ, ডিমাপুৰ থানাৰপৰা অলপ ভাটীত প্ৰবসুৱা বহা পাতি আছিল, আৰু আমি নামি আহি সেইখিনি পোৱাৰ কেদিনমানৰ আগতে মাথোন তিনটা বনৰীয়া হাতী ফান্দীহঁতে হাবিৰপৰা ধৰি আনি বান্ধিছিলহি। আমি নামি অহাৰ সংবাদ তেখেতক দি থোৱা আছিল। গতিকে আমি আহি থানাৰ মুখ পাওঁতেই তেখেতে আমাক গাড়ীয়ে সৈতে সেই প্ৰবসুৱা বহালৈ লৈ গ'লহি। তাতে দুপৰ নৌ হওঁতেই আমাৰ খোৱা মেলা হৈ গ'ল। আৰু এঘণ্টামানৰ পাচতে আমাৰ গাড়ী আকৌ চলাই দিয়াৰ কথা আছিল। পিচে, বনৰীয়া হাতী কেইটা চাই গৃহিণীয়ে আৰু ঘণ্টাদিয়েক তাতে জিৰাবৰ ইচ্ছা কৰিলে। সেই ছেগতে মই আমাৰ হাতী এটাত উঠি পুৰণি ডিমাপুৰ নগৰখনৰ ভিতৰ সোমাই চাবলৈ বুলি হাবিত সোমালোঁ। ইয়াৰ আগেয়েও কেইবা বাৰো নগৰখন সোমাই চাবৰ মন কৰিছিলোঁ, কিন্তু সুবিধা নোপোৱাত সেই অটব্য হাবিৰ মাজ সোমাব পৰা নাছিলোঁ। নগৰখন বৰ্ত্তমান ডিমাপুৰ থানাৰ পছিমে নিচেই কাষতে। সোমাই দেখিলোঁগৈ যে, সেই পুৰাতনীয়া ৰাজধানী বা ৰাজটোলটো আহলে-বহলে বৰ্গক্ষেত্ৰাকাৰকৈ সুপ্ৰশান্ত; এটা সীমাৰ পৰা আনটোলৈ কমকৈও চাৰি পাঁচ মাইলমান হব। মই পূব আৰু উত্তৰ সীমাৰ মাথোন কিয়দংশকৈ চালোঁ। উত্তৰ সীমাত ধনশিৰী নৈলৈ মুখ কৰি যিখন ৰাজদুৱাৰৰ ভগ্নাৱশেষ দেখিলোঁ, তাৰ কাৰুকাৰ্য্যাদিলৈ লক্ষ্য কৰি মোৰ মনত ধাৰণা হ'ল যে, সি কছাৰি ৰজাদিনীয়া ডিমাপুৰ নগৰৰ চিন নহয়, তাতকৈ বহু পুৰণি কালৰ হে কীৰ্ত্তিচিন। কাৰণ, সেই ভগা দুৱাৰৰ দুফালে থিয় কাতি কাতি হৈ পৰি থকা শিলৰ খুটা বা স্তম্ভ দুটাত খটোৱা অতি মিহি আৰু বিচক্ষণীয়া কাৰুকাৰ্য্য কছাৰি ৰজাদিনীয়া অসমৰ অন্যান্য কাৰুকাৰ্য্যৰ লগত নিমিলে; মাথোন নগৰৰ ভিতৰ ভাগত অ'ত-ত'ত সিচৰতি হৈ পৰি থকা শিলা-খণ্ডবোৰৰ কোনো-কোনোটোত শিৱসাগৰৰ নামদং শিলৰ সাঁকোত লগোৱা উকা আৰু শিৱদ'লত লগোৱা মূৰ্ত্তিকটা শিলাখণ্ডবোৰৰ আৰ্হি দেখা গৈছিল, সৰহ ভাগত পুৰণি কামৰূপৰ প্ৰাগ্‌জ্যোতিষপুৰ আৰু শোণিতপুৰৰ পৌৰাণিক কাৰুকাৰ্য্য খটোৱা খনিকৰী আৰ্হি দেখা পোৱা হ'ল। সেইবোৰ মোৰ মনত মহাভাৰতীয় যুগৰ কীৰ্ত্তিচিন যেন

* এই শিলৰ খুটা বা স্তম্ভ দুটাৰ ফটোগ্ৰাফ কৰাই নি মিষ্টাৰ (পাচত চাৰ) গেইট্ চাহাবে তাৰপৰা ছবি কটাই তেওঁৰ অসমৰ বুৰঞ্জীত ছপাই দিছে; আৰু তাৰে নকলী ছবি এটা তেওঁৰ অনুমতিক্ৰমে মোৰ অসমৰ বুৰঞ্জীতো দিয়া গৈছে।

'স্বৰ্গদেৱ' সকলক উচ্চাৰণ ভেদে আহম বা আসম নাম দিয়া হ'ল। আৰু সেই ইন্দ্ৰৰ সন্তান উপজিছিল কলিযুগৰ ৪০৪১ বছৰ যাওঁতে।

জয়ন্তীয়াপুৰ,গাৰো, খাচীয়া-বিলাকৰ বুৰঞ্জীও অসম বুৰঞ্জীৰ ফালৰ পৰা যিমান দূৰ আলচ কৰিব পাৰি সিমান দূৰ আলচ কৰা হৈছে। জয়ন্তীয়া পৰ্ব্বতৰ আৰু অসমৰ ভৈয়ামৰ যে অবিচ্ছিন্ন সম্বন্ধ আছিল তাক এই বুৰঞ্জীয়ে দেখুৱাই দিয়ে।

জয়ধ্বজ সিংহই আওৰেংজেৰ পাৎস্যাহলৈ সালঙ্কৃতাকৈ দিয়া গাভৰু গৰাকীৰ নাম—যাক আমি ৰমণী গাভৰু বুলিয়েই জানো, লাংছিং (নান্‌চেন্) গাভৰু আৰু এওঁ পাখৰী কুঁৱৰীৰ জীয়েক বুলি ইয়াৰ পৰা জনা গৈছে।

কানীয়া, সোৰোপা, এলেহুৱা মন-গা নুধুৱা অসমীয়া মানুহে যুদ্ধ কৰি ৰাজ্য জিনাৰ দিনত কেনেকৈ ক্ষত্ৰিয়-জনোচিত কাম কৰিছিল ৱেড ছাহাবৰ বুৰঞ্জীত পোৱা যায়, যেতিয়া ৰুদ্ৰসিংহ মহাৰাজে কছাৰীৰ ৰাজ্য মাৰিবলৈ আয়োজন কৰিছিল তেতিয়া

"The troops were exercised in this manner at Rungpoor from the commencement of the month of Ashar.The proportion of men who were introduced in the use of musket, was ten in one hundred, throughout the whole army. These were rewarded in a distinguished manner. Heuwas, induced, however, to dismiss his recruits and rely entirely on his veterans and musketeers, Yet he recommended to the former, while they cultivated their lands, not to neglect the use of arms, but to encourage their fellow citizens in all the towns to accustom themselves to use the bow and arrow, spear, shield and musket. His Fokuns, Rajkoas and Hazaries were desired to acquire the practice of fire arms. Ten days had scarcely elapsed when he recommended the recruits whom he had ordered to be disciplined in their respective towns and villages."

"আহাৰ মাহ সোমোৱাৰ পৰাই ৰংপুৰত এইদৰে সৈন্য-পদাতিৰ আখৰা কৰা হৈছিল। গোটেই বাহিনীৰ ভিতৰত শতকৰা দহ জনকৈ হিলৈদাৰী আছিল। হিলৈদাৰীবিলাকক লোকৰ চকুত পৰাকৈ পুৰস্কাৰ দিয়া হৈছিল। মূল হিলৈদাৰীবিলাকক (ৰজাই) ৰাখি ছোৱাল-তোৱাল-বিলাকক বাহিনীৰ পৰ গুচাই থৈছিল। থৈছিল যদিও, সিহঁতক পথাৰত খেতি কৰি থাকোঁতে থাকোঁতেই লগৰীয়া বিলাকে সৈতে ধেনু কাঁড়, জাঠী, ঢাল আৰু হিলৈ মাৰি যুদ্ধবিদ্যা চৰ্চ্চা কৰি থাকিবলৈ কৈছিল। ফুকন ৰাজ-খোৱা হাজৰীকাবিলাকেও বৰতোপ হিলৈ মাৰিবলৈ শিকিব লাগিছিল। দহ দিনৰ মূৰতেই ছোৱাল-তোৱাল বিলাকক সাজি পাৰি চহৰে নগৰে হাজিৰ হৈ থাকিবলৈ কৈছিল। শৰ ধেনু ধৰিবলৈ ভয় কৰা অসমীয়াৰ মনত এই বোৰ সমাজিক নহয় নে ?

মান অভিমান, খোঁচা-কটা, খিয়লা-খিয়লি, চকু চৰহা, চকুপোৰা ভাবেৰে অসম বুৰঞ্জীখন সৃষ্টি হ'ল বুলি যি এটা কলঙ্ক বাটে ঘাটে শুনিবলৈ পোৱা যায়, ৰুদ্ৰ সিংহ মহাৰাজে স্বৰ্গী হবৰ সময়ত শোৱাপাটীৰ কাষত পুতেক হঁতক কোৱা এই কেষাৰৰ কথাই তাৰ মূৰ মাৰি থৈ গৈছে।

আহোমৰ নাড়ী বুজা বিচক্ষণ স্বৰ্গদেৱে পুতেকহঁতৰ নৰিয়া পাটীৰ কাষলৈ মতাই আনি কৈছিল (ইংৰাজী দিয়া নহ'ল)

"বাপাহঁত, বহ। ভালে থাকিবিহঁক। সেয়ে হলে তহঁত পালে পালে ৰজা হব পাৰিবিহঁক। তহঁতে যদি কাজিয়া কৰ, একোৱেই নহয়। তহঁতৰ মাজত যদি কেনোবাই কাজিয়া লগাব খোজে—কাজিয়াতো লগাবই—তহঁতে সেই বোৰৰ কথালৈ কাণ নিদি একে লগ হৈ থাকিবিহঁক। মোৰ দুটি ভাই আছিল, শত্ৰুৰ কথা শুনি মুমলীয়াটিক খেদি দিলোঁ। মোৰ যে ভুল হ'ল এতিয়া বুজিছোঁ। সেইদেখি, বাপাহঁত, মিলেৰে থাকিবিহঁক। সেয়ে হলেই সকলো মঙ্গল। যদি হে শত্ৰু শাল একোটো নহয়। বৰ কি সৰু তহঁত কেউটিয়েই ৰজা হবিহঁক। মোৰ ৰাজ্যৰ চাৰি সীমাত থকা দেশবোৰ জিনিলোঁ। কৰতীয়া নৈৰ সিছোৱাও লব খুজিছিলোঁ, কিন্তু লওঁতা আৰু কোন ওলাব, মোৰ মনৰ কথা মনতেই মাৰ গ'ল।"

ৰুদ্ৰসিংহ স্বৰ্গদেৱে ৰাজ্য বিস্তাৰৰ কাৰণে যিটি চাণক্য-নীতি প্ৰয়োগ কৰিছিল, তাত শিকিব লগীয়া কূট বহুত আছে। কোনে কয় আহোম ৰজা ভোদা বুলি। অসম

ৰাজ্যৰ সীমা সঙ্কীৰ্ণ হলত তেওঁ বঙ্গদেশৰ ৰজা জমীদাৰ সকললৈ এই পত্ৰ দি খাউণ্ড কটকীবিলাকক পঠাই-ছিল :—

"কৰতীয়াৰ এইপাৰে থকা দেশখনি পূৰ্ব্বে আমাৰেই আছিল, এতিয়া পুনৰ লবলৈ অভিপ্ৰায় কৰা হৈছে। আমাৰ শত্ৰু নহব। মিত্ৰভাৱে সকলো কাৰ্য্য সিদ্ধ কৰক। ৰাজ্য, ৰাজক্ষমতা আৰু ৰাজহ আপোনাসকলৰেই আমাৰ মাথোন নামটি। শান্তি যাতে ৰক্ষা হয়, তাৰ নিমিত্তে চাব। আমি গৈছোঁ বুলি ভয় নাখাব ; আপোনালোকৰ কুশল মঙ্গল লিখি মিত্ৰভাৱে পত্ৰৰ উত্তৰ দিব।"

দৰঙৰ ডেকাৰজা সূৰ্য্যনাৰায়ণক ধৰি আনি বন্দী অৱস্থাত স্বৰ্গদেৱৰ আগত, গৰগাঁও নগৰত হাজিৰ কৰিলত স্বৰ্গদেৱে সূৰ্য্যনাৰায়ণক সুধিলে।

"তোমাৰ চুলিৰ সমান মোৰ আয়ুস হওক বুলি ভগৱন্তৰ চৰণত প্ৰাৰ্থনা কৰা"।

সূৰ্য্যনাৰায়ণে কলে, "কপালত যিমান দিন আয়ুস লিখা আছে সিমান দিন হে আয়ুস পাব। মোৰ প্ৰাৰ্থনাই একো গুণ নিদিয়ে"।

ৰজাই আকৌ কলে,

"তুমি বহুত দেশ বিদেশত ফুৰিছা! মোৰ নগৰ চাই কেনে দেখিলা ?"

সূৰ্য্যনাৰায়ণ :—"বঙ্গদেশৰ গাওঁ এখনৰ মানেই নহয়।"

স্বৰ্গদেৱ :—"মোৰ চাংমায়ে সিজাই দিয়া আহাৰ খোৱা।"

সূৰ্য্যনাৰায়ণ:—"আপোনাৰ আহাৰ খাবলৈ মোৰ কি হৈছে ?"

স্বৰ্গদেৱ :—"মোৰ চৰণৰ ধূলি লৈ তোমাৰ মূৰত চটিয়াই দিয়া।"

সূৰ্য্যনাৰায়ণ :—"মোৰ পূৰ্ব্বপুৰুষসকলে দূৰৈৰপৰা সেৱা জনাইছিল। আপোনাৰ চৰণৰ ধূলি কেতিয়াও লোৱা নাছিল। মই নো কেলৈ লম ?"

বন্দী অৱস্থাত এনে নিৰ্ভীক ভাৱে কোৱা কথা পঢ়িবলৈ পালে হিন্দুৰজা পুৰুৱে আলেকজেণ্ডাৰৰ আগত কোৱা কথালৈ মনত পৰে। এনেবোৰ কথাকে ৱেড্ ছাহাবৰ বুৰঞ্জীত পোৱা যায়।

শক, তাৰিখ বংশাৱলী আলোচনা কৰাই বুৰঞ্জীৰ ঘাই উদ্দেশ্য নহয়। স্বাধীন দেশৰ স্বাধীন বুৰঞ্জীয়ে আমালৈ স্বাধীন হবৰ কিমান সম্বল থৈ গৈছে, বা আমি তাক অনুশীলন কৰিবলৈ কি কি উপাদান তাৰপৰা গ্ৰহণ কৰিব পাৰোঁ, তাৰ আলোচনা কৰিবলৈ পোৱাটোহে বৰ্ত্তমান আমাৰ ঘাই উদ্দেশ্য। এই উদ্দেশ্য ৱেড্ ছাহাবৰ বুৰঞ্জীয়ে অলপ নহয় অলপ সিদ্ধি কৰিছে।

গীত

সুৰ—গজল। তাল—তেওড়া

কথা, সুৰ আৰু সুৰলিপি—শ্ৰীযুত শাৰঙ্গধৰ ৰাজখোৱা

ফুলৰ কলি
লাজত লুকায়
মলয়াৰে
পৰশ পাই।
টগৰ সখীৰ
মধুৰ হাঁহি
পাগল অলি
ৰূপটি চাই।
পাতৰ আঁৰত
কুলিটিয়ে
সুৰ ধৰে
মিঠা মাতে
জোপৰ মাজত
কেতেকীয়ে
মোহন বেণুত
আঙ্গুলী বুলায়॥
যুতী সখীৰ
আঁচল খনি
সমীৰণে
নিলে টানি ;
সেন্দুৰীয়া
গালত খলে
চুমা এটি
অকলে পাই॥

সুরলিপি

অস্থায়ী



১ম অন্তরা



২য় অন্তরা



স্মৃতি

গল্প—

—শ্রীযুত নগেন্দ্রনারায়ণ চৌধুরী

বুদ্ধা চিপাহীর প্রথম জীবনর এটা ঘটনাই তাক ডিহির সকলোবে শণাগর পাত্র কবি তুলিছিল। যেতিয়া ভাৰতর প্রধান সেনাপতি লর্ড বরাটে কাবুল বাজ্য আক্রমণ কবে, তেতিয়া সি কেনেবাকৈ, শিখ চিপাহীব দলত ভৃক্ত হৈ, আৰুগনিস্থানৰ হীৰাট্ নগৰলৈকে গৈ ভাৰত সম্রাজ্ঞীৰ জয় ঘোষণা কবি, প্রাচা বাসীৰ মনত ত্রাস সঞ্চাৰ কবিছিল। দুহুহন শিখবদৰে শকত আবত, ওথ, চোকা নাকমুখ আৰু দীঘল দাড়ী-চুলিৰ আছিল। সাজ পাৰ লৈ গাওবিটো মাৰি বুকুত 'মেডেল' লগাই পকা দাড়ী কেডালি জোৰাবি যেতিয়া 'পেন্‌সন্' লবলৈ জিলাৰ বাটত গুলীছিল তেতিয়া নজনা মানুহে বেগেতে তত ধবিব পবা নাছিল—ই সচাঁকৈ শিখ হয় নে নহয়।

সি যি নহ'ক গাঙৰ ডেকা বুঢ়া সকলোরে গৈ তাৰ দন্ত বহে, যুদ্ধৰ কথা শুনে। সি সকলোকে শুনাই কয়—"যাৰ যুদ্ধা নাই দেখিছ, আৰ ভয় নাই দেখিছ, তায় যাইছ ৰাৰ।" আন ছটা কথাৰ ফালেও তাৰ মন আছিল—"গুলি মেৰা আউৰ ছৰাকা গোছ।" এই দুই বস্তুরে ভেলকলক লোভ লগাব পাবক বা নোৱাবক, তাৰ যুদ্ধৰ গৌলভাব কথা শুনি কিছুমানে ভয় কবিলেও আন কিছু-মানে যুঁজলৈ যাবৰ হাবিয়াস কবি চিপাহী শ্রেণীত নাম লিখাব ধবিলে—কিন্তু শিখ পণ্টনত নহয়, গতানুগতিক ঢমঢমাকৰা' নাম লৈ 'গুৰ্খা বেজিমেণ্টত' হে। কাবুলি মুলুক যাবলৈ সুবিধা কাবো নহ'ল, বর্ম্মালৈ গৈ 'মেস্কোষ্টিন' ফলে খাব পাবে। বুঢ়া চিপাহীয়ে হাঁহি হাঁহি কয়—"ভাগ্য লাগে বাকুবে, এঙ্কায় না হয়।" কথাষাৰ শাস্ত্রবো অনুমোদিত—"ভাগ্যং ফলতি সর্ব্বত্র ন বিদ্যা ন চ পৌকষ।" কিন্তু বুঢ়াৰ ভাগ্যৰ ফলৰ কথা শুনিলে হিংসা কবিব পবা নহয় বহুত ওলাবলৈ আশা নাই। তথাপি অতীত

ঘটনাৰ স্মৃতিয়ে তাৰ মনত কিবা এটা অমিয় ধাৰৰ লগে লগে অধীৰতা আনি দিছিল—সি যিমানে ভৱঙ্কৰ নহ'ক। ঘটনা বর্ণনাৰ সময়ত এই বয়সতো তাৰ মনৰ ভাবৰ সৈতে চকু মুখৰ ভাবো বদলি উঠিছিল।

—২—

হিৰাট চহৰ দখল হোৱাৰ লগে লগে সেই নগৰত হুকুম জাৰি কৰা হ'ল—'যাৰ হাতত বি অস্ত্র আছে, এগণ্টাৰ ভিতৰত তাক আনি মহাৰাণী ইংলণ্ডেশ্বৰীৰ প্রতিনিধিৰ আগত হাজিৰ কৰিব লাগে'। যথা সময়ত হুকুম তামিল হ'ল; কিন্তু সহস্র ভাগেই ভগা নাইবা পুৰণি বন্দুক আৰু তৰোৱাল। তাৰ ভিতৰত কিছুমান যে ভাল নাছিল তেনে নহয়। তথাপি চোৰাংচোৰাই আহি বাতৰি দিলে—"চহৰত এতিয়াও বহুত ভাল বন্দুক আছে; মাটিত পুতি থৈছে। পলাই যাবৰ শক্তি যাৰ আছিল, ধন-জন অস্ত্র-শস্ত্র লৈ গৈছে। ঘোৰা, উট, গাধ, খচ্চৰ, গৰু প্রভৃতি যোনে যিহকে সংগ্রহ কৰিব পাৰিছে, তাৰ ওপৰত মালবস্তৰ লগত লৰা-ছোৱালী, নবীয়া তিৰোতা আদিৰ বোজা দি গুচি গৈছে। সুকৰব মুখ নেদেখা কিমান ডাঙৰ ডাঙৰ আমীৰ-ওমৰাহৰ তিৰোতাই খোজ কাঢ়ি ৰাইজৰ পাছে পাছে লৰ ধবিছে—আছে কিছুমান অসমর্থ মানুহ—যুদ্ধত আহত, অন্ধ, আতুৰ, অজ্ঞ।

এই অভিজ্ঞতা প্রথম নহয় গতিকে সময় নষ্ট নকবি যুঁজাক জাতিৰ চিবকলীয়া নিয়মমতে বাকীখিনি লুটিবৰ হুকুম হ'ল। বিজয় উল্লাসত বক্ত-লোলুপ পশুৰ দবে সকলো গোড়া আৰু ক'লা চিপাহীয়ে চাৰিওফালে আগুৰি ধবিলে। অৱশ্যে অতর্কিত আক্রমনৰ হাত সাবিবৰ বাবে সহবাৰ সুব্যৱস্থা ৰ'ল—যদিও তাৰ বাবে ভয় অকণো নাছিল। গোড়া চিপাহীৰ হাতে হাতে একোটা মার্টিন হেনবি ৰায়ফল,

যাৰ বেগ ১০০০ হাজাৰ গজলৈকে। আৰু শিখৰ হাতে হাতে ৮০০ শ গজ বেগৰ স্নাইডাৰ।

—৩—

বেলি মাৰ যায় যায়। ৰণত আহত যুঁজাৰুই মাতৃভূমিৰ প্ৰতি, ৰঙা তেজেৰে শেষ তৰ্পণ কৰাৰ নিচিনা পচিম আকাশ ৰঙা কিৰণে আবৰি পেলাইছে। জন-মুখৰিত চহৰখন যেন মৰিশালিত পৰিণত হৈছে। মহা আনন্দেৰে বুদাই এটা সৰু ঘৰৰ ভিতৰত সোমাল। লগত আন এজন শিখ। ঘৰৰ দুৱাৰ বন্ধ আছিল। লাঠী আৰু বন্দুকেৰে কোব আৰু খুন্দা মাৰি মেলি পেলালে। ভিতৰলৈ গৈ দেখিবলৈ পালে এজনী গাভৰু। বৰণ যেন এটি পকা 'ছিঁউ ফল'হে। ইয়াকে কয় ৰূপত ঘৰ উজলা। মুখত ভয়ৰ চিন। ওচৰত শুই আছে এজনা বুঢ়া—বয়স অনুমান ৫৫ বছৰ,- কাপোৰ-কানি তেজেৰে তিতোৱা। মুখ তাৰ যন্ত্ৰণাকাতৰ, মৃত্যুৰ কালিমা সনা। লগৰ শিখ জনে তাক দেখি "সৎশ্ৰী আকাল" বুলি চিঞৰি বন্দুকৰ সঙ্গিনেৰে বুকুত খুচিব খুজিছিল, এনেতে তিৰোতা-জনীয়ে কাতৰ কণ্ঠে চিঞৰি শুই থকা বুঢ়াজনৰ ওচৰত বহি, নিজৰ বুকু সঙ্গিনৰ আগত পাতি ধৰিলে। আৰু এমুহূৰ্ত্ত হলেই তাইৰ ওখ বুকু ভেদ কৰি ইহলীলা শেষ কৰি দিলেহেঁতেন। এনেতে বুদা চিপাহীয়ে শিখটোৰ হাতত খপ্ কৰি ধৰি পেলালে। তেতিয়া তাৰ মূৰ্ত্তি সাক্ষাত যম দূতৰ নিচিনা। বন্দুকটো মাটিত থেকেচা মাৰি, খঙত চকু পকাই বুদাৰ ফালে চাই কলে "তু ময়নু ছৰকাৰি হুকুমে মোড়নাৱেঁ।" অৰ্থাৎ—"তই চৰ্কাৰী হুকুমৰ বিৰুদ্ধাচৰণ কৰিছ।" বুদাই উত্তৰ দিলে—"উহুঁ, মই অকল হাক দিছোঁ। এনে কাবুলী বেদানাৰ ৰসেৰে গঢ়া ধুনীয়া গাভৰু তিৰোতাক উপভোগ নকৰি 'বেয়াকুব'ৰ নিচিনা মাৰি পেলাবলৈ খুজিছ কি বাবে?" "জানি শুনিও যদি কোনোবাই নাদত জপিয়াই পৰি মৰে, তেনেহলে তাৰ উপায় কি? মই শত্ৰু অন্ত কৰিব খুজিছোঁ। শত্ৰু শেষ কৰাটোৱে শাস্ত্ৰৰ উপদেশ।"

"যি মৰিবলৈ ওলাইছে তাক মৰাত বীৰ পুৰুষৰ একো নাম নাই, বৰং দুৰ্ণাম হে। ইয়াক হাস্পতালত দি সহায় কৰাহে উচিত।"

"থৈ দিয়া এনেকৈয়ে হিন্দুস্থানে পৰাধীনতাৰ শৃঙ্খল পিন্ধিছে।"

বুদাই দেখিলে কথাষাৰ সমূলি মিছা নহয়। তাৰ বাহিৰেও আহত বীৰক সহায় কৰাটো সভ্য জগতৰ যুঁজাৰ বিলাকৰ ধৰ্ম্ম বুলি কাকতে কলমে কোৱা শুনা যায়। প্ৰকৃত কামত যদিও বহুসময়ত আন বিধৰ হে দেখা যায়। সি সেইবোৰ একোকে উল্লেখ নকৰি মাথোন কলে—"ইটোৰ দফা শেষ। বাধা দিবৰ শক্তি নাই; কিয় মিছাতে সময় নষ্ট কৰিছা। আমাক ধন আৰু তিৰোতা লাগে। ভাগ্য ভাল বুঢ়ী নহয় গাভৰু পোৱা গৈছে, তাতে আকৌ সুন্দৰী।"

বুদাৰ কথা শুনি শিখটোৱে হিলৈটো বেৰাত থৈ দি, ধৰিলে তিৰোতা জনীৰ হাতত ধৰি টানিব। তাই প্ৰাণহীন কাঠৰ পুতলা যেন হৈছিল। এটা ঢোক গিলি অতি কষ্টেৰে কলে—"মোৰ এটা অনুৰোধ ৰাখক, মই স্বেচ্ছাতে আত্ম সমৰ্পণ কৰিম"

শিখটোৱে কলে-"তোৰ আৰু ইচ্ছা অনিচ্ছা। বাৰু ক'চোন কি তোৰ অনুৰোধ।'

তাই এবাৰ দুয়োৰে মুখৰ ফালে কৰুণ কটাক্ষ পাত কৰি উত্তৰ দিলে "মোৰ দেউতাৰ শেষ কাল উপস্থিত, পৰকালৰ যাত্ৰী। শেষ নিশাহ নেপেলোৱালৈকে মোক তেওঁৰ ওচৰত বহি থাকিবলৈ দিয়ক।"

শুনি বুদাৰ হৃদয়ত কৰুণাৰ সঞ্চাৰ হ'ল। শিখটোৱে কিন্তু পিশাচৰ দৰে হাঁহি উঠি আকৌ তাইৰ হাতত ধৰিলে। ৰক্ষা নাই জানিও তাই কোঁচখাই বলিৰ ছাগলীৰ দৰে ভয়ত কঁপি কঁপি কলে—"মই তিৰোতা। লাজ-ছৰম মৰণ সময়তো নাযায়। এজন বাজত থাক'ক যেন আন কোনেও আহিব নোৱাৰে"

আন কোনোবা আহিলে তাক হাক দিবৰ উপায় নাই। তথাপি তাইক সন্তোষ দিবৰ বাবেই হ'ক বা তাইৰ ৰং চাবৰ বাবেই হ'ক, দুয়ো মিছাতে 'বাৰু' বুলি কলে। লগে লগে বুদাই বাজলৈ ওলাই দুৱাৰখন জপাই দিলে।

—৪—

মুমূৰ্ষু কাবুলী সৈনীকে আহত শাৰ্দ্দূলৰ নিচিনা সকলোৰে গতি-বিধি লক্ষ্য কৰিব ধৰিছিল। লুণ্ঠনৰত নৃশংসতাৰ অৱতাৰ বিজয়ী সেনাই, সেই অসাধাৰণ কাবুলী সুন্দৰীৰ আঙ্গুৰৰ নিচিনা কোমল গালত এটা চুমা খালে। তাকে দেখি আহত কাবুলীয়ে "নীৰা নীৰা" বুলি চিঞৰি উঠিলে। উত্তেজনাত তাৰ ক্ষত শৰীৰৰ পৰা বেগেৰে তেজ বৰলৈ ধৰিলে। তাৰ চকু এবাৰ জলি উঠি মুদ খাই আহিবলৈ ধৰিলে—পিছ মুহূৰ্ত্ততে সকলো শেষ।...

গাভৰু জনীয়ে ওঠ কামুৰি এবাৰ সিফালে মুখ ঘূৰাই চালে। মদোন্মত্ত শিখৰ সিফালে দৃষ্টি নাই। নানা তৰহৰ মৰামৰি কৰি, জীৱন মৰণৰ লগত উমলি মানুহৰ আৰ্ত্তনাদ আৰু মৃত্যু যেন এটা নিচেই সাধাৰণ কথা হৈ পৰিছে! মনুষ্যত্বৰ শেষ চিনটিও মাৰ গৈ পশুত্বৰ পূৰ্ণ প্ৰভাৱ তাৰ ভিতৰত প্ৰকাশ পাইছে। আছে কেৱল আনৰ মৃত্যুত মহা আনন্দ আৰু নিজৰ মৃত্যুলৈ ভীষণ ভয়। সি হাঁহি মাৰি তাইক সাৱটি ধৰিলে। তেতিয়াই তাই কাপোৰৰ তলত বুকুৰ মাজত লুকাই ৰখা চোকা ছুৰীখন শিখটোৰ বুকুত বহুৱাই হেঁচি ধৰিলে।

চিপাহীয়ে "চয়তানী জান্ লিয়া" বুলি মৰণৰ চিঞৰ এটা মাৰি তাইক ঢকামাৰি বগৰাই পেলালে। আৰু তেতিয়াই বন্দুকটো লৈ তাইক আক্ৰমণ কৰিব খুজিছিল, কিন্তু তুলিব নোৱাৰিলে—মাটিত বাগৰি গাহৰিৰ নিচিনা গুজৰি গুজৰি যন্ত্ৰনাত ছটফট্‌াবলৈ ধৰিলে। তিৰোতা জনীয়ে তাইৰ নিজৰ কাৰ্য্যৰ পৰিণাম দেখি, চক খাই উঠিল, এহাতেৰে নিজৰ চকু ঢাকি ধৰিলে। পিছ-মুহূৰ্ত্ততে তাইৰ হুছ হ'ল—এনেকৈ থাকিলে তাইৰ ওপৰত অত্যাচাৰ শত গুণে বাঢ়িব। লুকাই ৰখা আন এখন ছুৰীৰে আত্মহত্যাৰ নিমিত্তে সাজু হ'ল।.....

বুদাৰ বাজৰ পৰা সন্দেহ হ'ল। বন্দুকটো পোন কৰি ধৰি ভিতৰত সোমাল। তেতিয়া এফালে শিখ চিপাহীটোৱে মাটিত পৰি হাত ভৰি জোকাৰি, গোঁ গোঁ শব্দ কৰি প্ৰাণ এৰিব লাগিছে আৰু আন ফালে সেই কাবুলী গাভৰুৱে আত্মহত্যাৰ উদ্দেশ্যে বুকুৰ ওপৰত ছুৰীখন ধৰিছে। সি খাইবাৰ গিৰিসঙ্কটৰ পৰা যুঁজ কৰি ইমান দূৰলৈকে আহিছে, বাটে বাটে কিমান কাণ্ড ঘটিছে, কিমান বস্তু লুটিছে, কিমান বুঢ়ী ডেকেৰী তিৰোতাৰ সৰ্ব্বনাশ কৰিছে; কিন্তু এনে ঘটনা কেতিয়াও সি দেখা নাছিল। লগৰীয়াক হত্যা কৰাৰ আক্ৰোশত স্ত্ৰীহত্যাৰ বাবে তাৰ মনত অকণো দ্বিধা নোপজিল। বন্দুকটো সেই মুহূৰ্ত্ততে এই নৰঘাতিনী নাৰীৰ বুকুলৈ লক্ষ্য কৰি গুৰুম্ কৰি 'ফায়াৰ' কৰিলে।

ধোৱাঁৰে ঘৰ ভৰি গ'ল। কি ঘটিল তাক অনুমান কৰা অসম্ভৱ নহলেও সি একোকে মনিব নোৱাৰিলে। যেতিয়া ধোৱাঁ গুচিল তেতিয়া সি দেখিবলৈ পালে যে তাই সংজ্ঞাহীনা। ভাগ্যক্ৰমে গুলি গৈ যুৱতীৰ গাত নালাগি, বুকুত বহাই দিব ধৰা তাইৰ ছুৰীখনত লগাত, ছুৰীখন তাইৰ হাতৰ পৰা আঁতৰাই লৈ গৈছিল। অৱশ্যে বুদাই একো গম পোৱা নাছিল। তেতিয়াও সি বন্দুকটো তাইৰ ফালে ধৰি আছিল। খঙত আন এটা গুলি মাৰি তৃপ্তি লাভ কৰিব খুজিছিল। এনেতে পাছৰ পৰা কোনোৱাই হুকুম কৰিলে—'অৰ্ডাৰ আৰ্ম'

—৫—

আদেশ মতে কাম কৰি পাছফালে চাই দেখিবলৈ পালে—এজন গোড়া চিপাহী। বুদা চিপাহীৰ খঙ উঠিল—"চৰ্কাৰী কামত বাধা!" কিন্তু উপায় কি? তেতিয়া যুদ্ধক্ষেত্ৰতো ক'লাতকৈ গো'ড়াৰ মান বহুত গুণে বেছি আছিল। যি হ'ক সি কিবা কথা সোধাৰ আগেয়ে গোড়া চিপাহী গৰাকীয়ে তাৰ ওচৰলৈ আহি হঠাৎ তাক ধৰি পাছফালৰ পৰা এটা কুষ্টিৰ পাক মাৰি তাক মাটিত বগৰাই পেলালে। বুদাই ইয়াৰ নিমিত্তে সমূলি সাজু নাছিল। কি কাণ্ড ঘটিল তাক ভাবি পোৱাৰ আগেয়ে গোড়া চিপাহীজনে নিজৰ হাত দুখন বুদাৰ পাছফালৰ পৰা তাৰ দুহাতৰ কাষতলিৰ তলেদি সুমাই দি ঘাৰৰ ওপৰলৈ আনি হেঁচা মাৰি ধৰিলে।

তিৰোতাজনীৰ শৰীৰ অক্ষত অৱস্থাতে আছিল। তাই তেতিয়া লাহে লাহে জ্ঞান পাইছিল। চকু মেলি চাই কাণ্ড দেখি তাই আচৰিত হ'ল। আগন্তুকে গাভৰুত

এখৰ জৰি খুজিলে। এজন ইংৰাজ দেখি তাই ভয়তে কোচমোচ খালে কিন্তু অভয় পাই তাই জৰি আনি দিলে। আৰু দুয়ো বুদাৰ হাত ভৰি ভালকৈ বান্ধিলে। কথা শুনি তাইৰ বুজিবলৈ বাকী নাথাকিল যে, এই মানুহজন গোড়া চিপাহী নহয়। আচলতে চদ্মবেশধাৰী কাবুলী। বুদাৰ প্ৰেমৰ পিয়াহ, লুটৰ লোভ, সকলো গুচি অন্তৰাত্মা কঁপিবলৈ ধৰিলে। মৰণলৈ ভয় নকৰে কোনে? সি মহাবিপদত পৰি বিপদহাৰী মধুসূধনৰ নাম পৰ্য্যন্ত পাহৰিলে।

সেই ভেষচন্‌ধাৰী গোড়া চিপাহী গৰাকীয়ে বন্দুকৰ পৰা সঙ্গিন খন খুলি লৈ বুদাৰ বুকুত হেঁচি ধৰি সুধিলে—"কাফেৰ! তোৰ মৰণ ওচৰত। এতিয়া কঁচোন কষ্ট খাই খাই লাহে লাহে মৰিবৰ ইচ্ছা নে, একে খোঁচে বীৰৰ নিচিনাকৈ ইপুৰী এৰিবি?" মৰণ যে ওচৰ চাপিছে তাক বুদাইও বুজি পাইছে। ভয়ত তত নাইকিয়া হলেও, ৰক্ষা পাবৰ যেতিয়া উপায় নাই তেতিয়া কাপুৰুষৰ দৰে কিয় মৰিব? এনে ভাবি সি জোৰকৈ কলে—"কাপুৰুষ, পাছফালৰ পৰা অহা নাইবা গুপ্ত ছুৰীৰে আঘাত কৰাটোৱে যাৰ অভ্যাস আৰু ব্যৱসায়, তাৰ লগত কথা কবলৈকেও ইচ্ছা নাযায়।"

গোড়াজনে বিদ্ৰূপৰ হাঁহি মাৰি কলে—"ঠিক কথা বন্ধু! কিন্তু যুদ্ধৰ সময়ত সি একো অন্যায় নহয়।"

বুদাই মুখখন বেকা কৰি কলে—"থৈ দে তোৰ যুঁজ। পেশ্বাৱাৰত সদায় তইঁতৰ কাণ্ড-কাৰখানা দেখিছোঁ। পাছফালৰ পৰা লুকাই মৰাক যদি বীৰ বোলে তেন্তে ভীৰু, কাপুৰুষ নাইবা 'আউৰাৎ' (তিৰোতা) কোন?

কাবুলিয়ে খং কৰি উত্তৰ দিলে—"চোপৰাও, গোলামকা জাত।" এই ভাষাতে আৰু কলে—তইঁতৰ আজিৰ গুপ্ত শব্দৰ অৰ্থটো কি ক'চোন, যদি কষ্ট পাই মৰিব নোখোজ।" কথাৰ লগে লগে সঙ্গিন ডাল অলপ জোৰে বুকুত হেঁচি ধৰিলে। মঙ্গহ কাটি তাৰ গাৰ কাপোৰ ফুটি অলপ তেজ ওলাল। বুদাৰ ভয় যিমানেই থাকক সি সাহসী হৈ উঠিল। এটা জেদৰ ভাব আহি তাৰ মনক দৃঢ়কৈ তুলিলে—"নাকং, নাকং" বুলি নিজ ভাষাত সি চিঞৰি উঠিল।

আকৌ সেই প্ৰশ্ন হ'ল। আকৌ অলপ বেছিকৈ খুচিলে, তেজো অলপ সৰহকৈ ওলাব ধৰিলে। বুদাই প্ৰতি মুহূৰ্ত্ততে মৃত্যুৰ বিভীষিকা দেখিবলৈ ধৰিলে। প্ৰতিকাৰৰ কোনো উপায় নাই। অকল ভৰষা—যদি কোনো ইংৰাজৰ চিপাহীয়ে লুট কৰিবলৈ আহি ঘৰত সোমায়। সেই চিন্তা বা ভয় যে, এই কৃত্ৰিম গোড়া চিপাহীৰ নাছিল তেনে নহয়। কাৰণ সিও ঘনে পতি দুৱাৰৰ ফালে চাব ধৰিছিল।

৬

অৱস্থা দেখি কিবা ভাবি তিৰোতা জনীয়ে মানুহটোৰ হাতত ধৰি টানি সঙ্গিন ডাল উলিয়াই কলে—"এৰক, এৰক, মই ভালকৈ সুধিম, আপুনি এৰকচোন।"

চিপাহীবেশীয়ে বুদাক এৰি দি, থিয় দিয়াৰ লগে লগে উত্তৰ দিলে "বাৰু আপোনাৰ কথাকে ৰাখিলোঁ। কিন্তু পলম কৰিলে আন মানুহ আহি পৰিব পাৰে। এজন শত্ৰুক মাৰিব পাৰিলেও বহুত। সিহঁতক জীয়াই থাকিবলৈ দিলে নিজৰ মৃত্যুৰ কাৰণো হব পাৰে।"

তিৰোতাজনীৰ এনে কাৰ্য্যত বুদা চিপাহীয়ে বুজিব পাৰিলে যে তাই সাধাৰণ ঘৰৰ ছোৱালী নহয়, লুট আৰু অত্যাচাৰৰ ভয়ত বহুতে তেনে সৰু ঘৰত দুখীয়াৰ দৰে আশ্ৰয় লয়; কিন্তু ৰক্ষা ক'তো নাই। সি এবাৰ তাইৰ ফালে বিষ চকুৰে চালে। কাবুলী গাভৰুজনীয়ে কবলৈ ধৰিলে "ভয় নকৰিব। মোৰ পিতাৰ মৃত্যুৰ কাৰণ দুজন। এজনক মই বধিছোঁ। ইয়াকো মই নিজ হাতেৰে হত্যা কৰি প্ৰতিশোধ লব খোজোঁ। নহলে মোৰ অন্তৰৰ জ্বালা নুগুচিব। আপুনি বাজ ওলাই চাই থাক'ক কোনোবা আহে নেকি।"

চদ্মবেশী চিপাহীয়ে "বাৰু সেয়ে হ'ক" বুলি বাজলৈ ওলাল। তেতিয়া তাই আনে নুশুনাকৈ লাহে লাহে বুদাক মাতি কলে "বিদেশী, তোৰ ভয় নাই। তই মোক বচাইছা। ময়ো তোক ৰক্ষা কৰিম। তই বীৰ পুৰুষ। শুনিবলৈ পাওঁ হিন্দুস্থান বাসীয়ে নাৰীৰ মৰ্য্যাদা ৰক্ষা কৰিবলৈ জানে, কেতিয়াও নাৰীৰ ওপৰত অত্যাচাৰ নকৰে, পৰৰ স্ত্ৰীক মাতৃবৎ জ্ঞান কৰে। দেখিলোঁ তোৰো

গাত সেই বিলাক গুণ আছে। সৰু ভনী যেন ভাবি এই বিপদৰ পৰা তই মোক ৰক্ষা কৰিব নোৱাৰনে? ময়ো কাবুলী আৰ্য্য-হিন্দু-ৰমণী।"

* * * *

তাই বুদাৰ হাত ভৰিৰ বান্ধ সোলাকাই দিলে। এই পুৰুষঘাতিনী তিৰোতা জনীৰ ওপৰত তাৰ ভীষণ আক্ৰোশ হৈছিল। আগেয়ে মাৰি নেপেলোৱাৰ নিমিত্তে সি নিজক ধিক্কাৰ দিব ধৰিছিল। এতিয়া তাই প্ৰতিশোধৰ ভয় নকৰি, মুকলি কৰি দিয়া দেখি আচৰিত হ'ল। কৃতজ্ঞতাত তাৰ অন্তৰ উপচি পৰিল। তাতে আকৌ তাইক হিন্দু বুলি জানিব পাৰি তাইলৈ সহানুভূতি উপজিল। বন্দী হৈ ৰক্ষাৰ উপায় নেদেখি সি চেতনা হেৰুৱাব ধৰিছিল। তাৰ জিভা, গল শুকাই গৈছিল। আৰু সি কিছু সময়লৈ মাতিব পৰা নাছিল। অৱশেষত গল খেকাৰি কলে—"সাধ্যহলে অৱশ্যে কৰিম, কোৱা কি কৰিব লাগে।" তাই কলে,—"প্ৰথমতে আজিৰ গুপ্ত শব্দ কৈ দিয়া। পিছত মোক লৈ নিৰাপদ ঠাইত থৈ আহিবা গৈ।"

বুদা চিপাহীয়ে ইতস্ততঃ কৰিবলৈ ধৰিলে দেখি তাই আকৌ কলে—"গুপ্ত শব্দ নুশুনা মানে সি গুচি নাযায়। তাৰ মতলব বেয়া। সি মোৰ সৰ্ব্বনাশ কৰিবৰ ইচ্ছাত ঘূৰিছে। ভয় নাই তোমালোকৰ জয় হৈছে যেতিয়া এই শব্দ জানিব পাৰিও একো কৰিব নোৱাৰিব।"

সি ভাবিলে কথা সঁচা। বিশেষ কি অপকাৰ কৰিব পাৰে। অথচ ছোৱালীজনীক লৈ নিৰ্ব্বিঘ্নে গুচি যাব লাগিলে গোলমাল নকৰি মানুহজনক আঁতৰাব লাগে; কিন্তু সৰলতা সকলো ঠাইতে নিৰাপদ নহয়। কোনে কব কি সামান্য সূত্ৰ এটা ধৰি, কোন কুকাণ্ড ঘটে। এতেকে আজিৰ গুপ্ত শব্দ নকৈ, যোৱা কালিৰ কথাষাৰ কলে—"ঝিলম্" ছদ্মবেশীয়ে কথাষাৰ জানিব পাৰি ততালিকে গুচি গ'ল। তেতিয়া তাই পলম নকৰি, মৰা শিখটোৰ সাজ সোলোকাই লৈ নিজে পিন্ধিলে। হাতত বন্দুক ডাল লৈ দু'য়ো ঘৰৰ পৰা ওলাল। দু খোজমান কাঢ়ি তিৰোতা জনীয়ে মাতিলে "ৰবা, তোমাৰ উপকাৰৰ মই প্ৰতিদান দিব, ময়ো অলপ সম্বল হাতত লম।"

তিৰোতাজনীয়ে ঘৰৰ ভিতৰত এটা খোটালিত সোমাই দুখন মোনা উলিয়ালে আৰু এটা সৰু বাকছৰ পৰা হীৰা, মাণিক আদি জহৰৎ উলিয়াই বুকুৰ মাজত লুকাই ৰাখিলে পিছত এবাৰ পিতাকৰ মৰা শটোৰ মুখত চুমা খাই চেলেঙেৰে গা ঢাকি থৈ বাজলৈ ওলাই আহিল। অৱস্থাৰ বিপাকত পৰি তাইৰ এফোঁট চকুলোও নোলাল—সকলো শুকাই গ'ল। দুৱাৰ মুখতে বুদাই বাট চাই আছিল। তাৰ হাতত এখন জোলোঙা দি কলে—"এইবোৰ তোমাৰ পাৰিশ্ৰমিক।"

দুয়ো ওলাল। তাইক এতিয়া এই গধূলি বেলিকা কোনে সন্দেহ কৰিব পাৰে—ইংৰাজৰ চিপাহী নহয় বুলি। তেতিয়াও বাটে বাটে ঘৰে ঘৰে চিপাহী বিলাকৰ আনন্দৰ কোঢ়াল। সকলোৱে নিজৰ নিমিত্তে ব্যস্ত। এনেতে সেই চদ্মবেশী কাবুলী আহি ওলাল। তাক দেখি বুদাই প্ৰমাদ গণিলে। যুৱতীৰো সেয়ে অৱস্থা। কোৱা বাহুল্য তাৰ হাত সাৰিবলৈকে বুলিয়ে তাই বিদেশীক বিশ্বাস কৰিবলৈ বাধ্য হৈছিল। এই গধূলি মানুহটোক মাৰি পেলালে, গোড়া চিপাহীক মৰা বুলি গোলমাল উঠিব। পিছত গুপ্তচৰ বুলি প্ৰমাণ হবও পাৰে। কিন্তু তেতিয়াই তিৰোতাজনীৰ কথা প্ৰকাশ হৈ পৰিব। তাতে এফালে তাইৰ ইজ্জত ৰক্ষা কৰা টান হব আৰু আন ফালে তাইৰ নাক-কাণ কাটি পেলাবও পাৰে। আকৌ শিখ চিপাহীক মাৰি পোলোৱা অপৰাধো তাইৰ গাতে পৰিব পাৰে। ইফালে জানি শুনিও তাইক সহায় কৰা বুলি বুদাৰ নিজৰ ওপৰতো 'কোৰ্ট মাৰ্শেল' জাৰি নোহোৱাকৈ নাথাকে।

কাবুলী ডেকাই দুয়ো জনৰ ফালে বন্দুকটো তুলি দৃঢ়স্বৰে কলে—"খাড়া ৰহো, হাত উঠানেছে ফায়াৰ কৰেঙ্গা।"

বুদাই শিলৰ মূৰ্ত্তিৰ দৰে লৰচৰ নোহোৱাকৈ থিয় হৈ ৰ'ল। প্ৰতি মুহূৰ্ত্তে বন্দুকৰ গুলি বুকুত লাগিবৰ অপেক্ষা কৰিব ধৰিলে। চিপাহী বেশীনীয়ে মনৰ ভাব গোপন কৰি মাত লগালে "মোক উদ্ধাৰ কৰিব ওলাইছে, কিয় বাধা দিছে?" গোড়া চিপাহীয়ে তাইক চিনি পোৱা, নাছিল। দুয়োজনৰ আগত আহি ওলোৱাৰ নিমিত্তে

ছিলে এবিষয়ে সাহ করা নাছিল। সি এতিয়া তাইৰ মাত শুনি ভালকৈ চালে আৰু চিনি পাই মাত লগালে—"এই গোণামৰ পুতেক, কাফেৰৰ লগত কলৈ যাব? ই মিছা মাতিছিল, বৰ বিপদত পৰিছিলোঁ। ই অকলে মোক চিনি পায়। গতিকে ই জীয়াই থাকিলে আপোনাৰ আৰু মোৰ ছয়োৰে বিপদ আছে।" কোৱা বাহুল্য পাছৌ ভাষাত ছয়ো মাত লগাইছিল। বুদাই পাছৌভাষা মুঠে নাজানিছিল। সি একোকে বুজি নাপালে। আৰু অলপ অচৰ ভাবে থিয় দি ৰ'ল। কাৰণ অলপ লৰিলেই গুলি কৰিব; সিও বুজি পাইছিল যে ছজনকে চিপাহী ভাবিহে ইমান পৰ গুলি কৰা নাছিল। নহলে দেখি চিনি পোৱা মাত্ৰকে মাৰি পেলালেহেঁতেন। এতিয়া তিবোতাজনীক চিনি পোৱাত বুদাৰ ভয় বাঢ়ি গ'ল। আন চিপাহী আহি ওলোৱা নাছিল কিয়, তাকে সি ভাবিব ধৰিছিল। এনেতে তিবোতাজনী ছয়োৰে মাজত থিয় দি তাক আৰ কৰি ধৰিলে। গোণ্ডাৰেণীয়ে খং কৰি কবলৈ ধৰিলে—"আপুনি ওচৰ। জীৱন সৰণৰ মাজত এনে প্ৰতিবন্ধকতা ভাল নহয়। আপুনি জানে, মই কাৰ নিমিত্তে ইমান কষ্ট কৰিছোঁ।"

৭

যিদিনা এই গাভকজনীৰ গিৰীয়েক বৃটিছৰ বৰতোপৰ গুলিত প্ৰাণ হেকৰালে, সেইদিনা তাই বলিয়ালীৰ নিচিনা হৈ হাতত এখন তৰোৱাল লৈ "প্ৰতিহিংসা প্ৰতিহিংসা" বুলি বাজৰৈলে ওলাইছিল। তেতিয়া তাইৰ বোৰ্যা বিহীন শিথিল বসনৰ ভিতৰেদি ভুবনমোহিনী ৰূপ দেখি এই চন্দ্ৰবেণী কাবুলীয়ে আজুহাপা হৈছিল। আৰু কেনেকৈ তাইক লাভ কৰিব তাৰে উপায় বিচাৰি ফুৰিছিল। কিন্তু কাবুল বাজ্যত হিন্দুৰ প্ৰতি ৰজাৰ সুদৃষ্টি থকাত আৰু বিশেষকৈ পৰজাৰ প্ৰতি লোভৰ ভীষণ শাস্তিৰ ভয়ত সি আগ বাঢ়ি পৰা নাছিল। তাৰ বাহিৰেও গাভকৰ গিৰীয়েক এটা সক দলৰ নায়ক আছিল। গিৰীয়েক ঢুকোৱাৰ পিছত বাধ্য হৈ তাই দেউতাকৰ ঘৰত আশ্ৰয় লৈছিল। সেই ৰাজ্যৰ সকলোৱে সৈনীক। তাইৰ দেউতাকো এজন সৈনীক কৰ্ম্মচাৰী আছিল। 'ব্লুলেট'ৰ আঘাতত প্ৰায় ছয় ঘণ্টাৰ ভিতৰতে চুকায়। সেই বাতৰি পাঠক সকলে পাই আহিছে: চৰৱ ইংৰাজৰ দখল হলত এওঁলোকে পলাৰ নোৱাৰি এজন ছবীয়াৰ ঘৰত কোনো গতিকে লুকাই থাকিবলৈ চেষ্টা কৰিছিল। এই ছদ্মবেশীয়ে সেই সময়ত এওঁলোকক সহায় কৰিছিল আৰু কপহী যুৱতীয়ে কৃপা দৃষ্টিৰে চালে আগলৈ সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। এতিয়া তাইক কোনো গাওঁত লৈ গৈ ৰক্ষা কৰি নিজৰ কৰি লব পাৰে নে নোৱাৰে তাৰে চেষ্টাত সকলো বিপদ মুবত লৈ চৰৱত আছিল। তাইৰ দেউতাকৰ পৰমায়ু শেষ হোৱাৰ কথা তাৰ জানিবলৈ বাকী নাছিল; কাৰ্য্য সিদ্ধিৰ আশাত ছদ্মবেশ ধৰি তাইৰ ঘৰত সোমাইছিল। তাতে বুদাৰ লগত দেখা হ'ল। সি নিজ গজনীবাসী আফ্‌গানিস্থানৰ গুপ্তচৰ। মেজা বেচাৰ ছলেৰে হিন্দুস্থানত ঘুৰিব লাগে। সি বহু ভাষা জানে এই নিমিত্তেই সকলোৱে তাক খাতিৰ কৰে। আজি তাৰ মুখৰ কথা শুনি তিবোতাজনী চক্‌ খাই উঠিল। সি কবিব ভাবিছে, এনেতে বুদাই পাঠান বাদশাকৰ অনমনস দেখি বন্দুকেৰে মুবত কোবাই বগৰাই পেলালে। মাটিত পৰি ঘোৱা মাত্ৰকে আৰু কোৱাটিও কোৱ মাৰিলে। চন্দ্ৰবেণী 'গিল্‌জাই' এটা শব্দকে কবিব নোৱাৰিলে।

এই দৃশ্য কাবুলী সুন্দৰীৰ সহ্য নহ'ল। দুহাতে চুচুক ঢাকি ধৰি চিঞৰি উঠিল।

* * * *

পলম নকৰি ছয়ো বেগাই খোজ লৈ বাঙ্গ আহিল ওলাল। বাটত বহুত চিপাহীক লগ পালে। কোনেও পুৰুষ বেশীনীক চিনিব নোৱাৰিলে। ক্ৰমে নিৰ্ব্বিঘ্নে গাওঁৰ বাট ধৰিলে। এনেতে 'বিগ্‌ল্' বাজি উঠিল —"টু-টু-টু, চু-চু-টু, চু-উ-উ-উ।"

কোৱা বাহুল্য 'বিগ্‌ল্'ৰ এই ফুকৰ মানে—চিপাহী সকল গোট খাব লাগে।

বুদাই থিয় হ'ল। আৰু আগ বাঢ়িব নোৱাৰিলে। ৰণহীৰ ওচৰত বিদায় মাগিলে। তাই বুদা চিপাহীৰ হাতত নিজৰ হাতৰ এটা আঙুঠি সোণোকাই দি কলে—"বিদেশী বন্ধু, এইটোৱে মোৰ চিন। মনত ৰাখিব মই অভাগী বিদেশীনীৰ নাম—নীৰা।" বুদা চিপাহীয়ে তাইৰ ধুনীয়া মুখৰ ফালে চাই ৰ'ল। ছুয়োৰে চকুপানী পৰিল। কোনে জানে কোনে কি ভাবিছিল। *

* এই গল্পটোৰ প্ৰথম ভোৱা অৰ্থাৎ বুদা চিপাহীৰ হিয়াচ্ চৰৱলৈকে ঘোৱা আৰু মুখৰ 'ওম্', 'খোদা' আৰু 'ছখাকা খোজ' মৈকে সচী। খোৱালপাড়া জিলাৰ মেচপাহাৰ পৰ্ব্বতীয়া নাচনী পাৰা ডিহিৰ বালিকানী নামৰ গাওঁত বুদাৰ জন্ম। সি ৰাজৰংশী মানুহ। জন্ম-মৃত্যুৰ চন তাৰিখ জনা সহজ নহলেও ১৮৯৯ চনলৈকে লিপিকৰ পিতাক ৺খগেন্দ্ৰ নাৰায়ণ চৌধুৰী জমিদাৰৰ দেউচিত 'বৰকন্দাজ' চাকৰি কৰিছিল।

বিলাতত ভুমুকি

—শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা, সাহিত্যৰত্ন

১ম অধ্যায়

যাত্ৰা

কিবা এটা সুবিধা পালে, বিলাতখন চাই আহিবৰ ভাবটো আগৰে পৰা মোৰ মনত আছিল। কিন্তু, নানা প্ৰকাৰৰ বাধা-বিঘিনি দেখি, তাৰ বিষয়ে মন পাৰি একো ভৰা নাছিলোঁ। পিছত ভাৰতৰ শাসন সংস্কাৰৰ বাবে লণ্ডনত পতা ঘুৰণীয়া চৰাৰ মেলটৈ, বৰনাট চাহাবে মোক অসৰ দেশৰ প্ৰতিনিধি মনোনীত কৰিলে। সেই উপলক্ষেই এবছৰৰ অগাপিছাকৈ মই ছবাবো বিলাতলৈ গৈছিলোঁ। বিলাতৰ বহল বিষবন লিখাটো মোৰ উদ্দেশ্যও নহয়, মই এৰ পাত্ৰও নহওঁ। যি কামৰ অৰ্থে গৈছিলোঁ, তাতে লগি থাকোতে, সৰহ ফুৰিব চাকিবও নোৱাৰিলোঁ। এবি যে লবি আহোঁতে যি চকুত পৰিল, তাৰেহে মাগোন ধাই যাই কথাখিনি এই প্ৰবন্ধত ধাৰাবাহিক ৰূপে লিখিব খুজিছোঁ। কিন্তু, মই কমেও আৰু ৩০ বছৰ মানৰ আগেয়েই যাব লাগিছিল। বিদেশলৈ গ'লে, কিছুমান কথা চকুত পৰে, মনত কিছুমান নতুন ভাব খেলায়; তাক কামত লগালে হ'লে, মানুহে আগ বয়সতে বিদেশলৈ যাব লাগে।

১২৩০ চনৰ ২ অক্টোবৰ তাৰিখে, বিজয়া দশমীৰ দিনা, মোৰ ভাৰ্য্যাটি লৰা গ্ৰীমান মুকলীৰবক লগত লৈ, মই বিলাতলৈ বুলি প্ৰথম বাৰ ঘৰৰ পৰা যাত্ৰা কৰিলোঁ। ১৮ অক্টোবৰৰ দিনা বম্বে নগৰত আমি "পি, এণ্ড ও" কোম্পানীৰ "কেইচবিহিণ্ড" জাহাজত উঠিলোঁ। সেই দিনাই দিনৰ এক বজাত জাহাজ মেলি দিলে।

বম্বেত পাছৌ আৰু সন্ন্যাস হিন্দু মহিলাসকলে গুৰলা আৰু গহীন ভাৱেৰে প্ৰকাশ্য ঠাইত ফুবা-চকা কৰা দেখি মন সন্তোষ লাগিছিল। ভাৰতৰ অৱনতিৰ এটা ঘাই কাৰণ হৈছে পৰ্দ্দা বা অৱৰোধ প্ৰথা। ইয়াৰ পৰা দৈহিক, মানসিক আৰু নৈতিক, তিনিও প্ৰকাৰৰ অৱনতি ঘটিছে। দীঘল ওবণি তুলি দি, তিবোতাক শিক্ষাৰ বলেৰে চৰিত্ৰব্ৰতী আৰু তেজস্বিনী নকৰিলে, কোনো সমাজ কেতিয়াও উধাৰ নোৱাৰে।

আমাৰ এয়ে প্ৰথম সমুদ্ৰযাত্ৰা। জাহাজখন এবোতেই, ভাৰত মাতৃৰ পৰা আঁতৰি আহিছো বুলি, মনটো কেনে লাগিছিল, তাক মনতে ভাবিবহে পাৰোঁ, লোকক বুজাব নোৱাৰোঁ। "স্বৰ্গাদপি গৰিয়সী" ভাৰত জননী আমাৰ কিমান আপোন, তাক সেই মুহূৰ্ত্তৰ দৰে আগেয়ে উপলব্ধি কৰিব নোৱাৰিছিলোঁ। জগদীশ্বৰৰ চৰণলৈ সেৱা আৰু শলাগ জনাই, মাতৃভূমিলৈ শিৰ দোঁৱাই নমস্কাৰ কৰিলোঁ। অলপ পৰ যাইহে অসীম সাগৰত ওলালোঁগৈ; কেনিও ক'তো মাটিৰ সীচ দেখিবলৈ নোহোৱা হ'ল। ওপৰে বিশাল গগণ, তলে বিশাল, শকতিমান, ওৰ নপৰা মহাসমুদ্ৰ। প্ৰকৃতিৰ বিশালতাৰ বিৰাট দৃশ্য দেখি গা বোমাঞ্চিত হ'ল। সেই মহা বিশালতাৰ মাজত, মানুহৰ ক্ষুদ্ৰতা আৰু নিৰাশ্ৰয়তা বুজিব পাৰি, সেই বিৰাট বিশ্ব-বিধাতালৈ মনত পৰিল। কৃতজ্ঞতাৰ অঞ্জলি ঢালি, মহা সমুদ্ৰৰ মাজত, প্ৰাণী ছটিব সদো ভাৰ তেওঁৰ চৰণত অৰ্পণ কৰিলোঁ।

সেই জাহাজতে, মই ঘোৱা মেলটৈকে এই কেইজন যাত্ৰীও গৈছিল—

(১) বেগম আৰু কৰ্ম্মচাৰীসকলে সৈতে ভূপাল ৰাজ্যৰ অধিপতি নৱাব হাতিছৱ,

(২) ৰাৱভাঙ্গাৰ মহাৰাজাধিৰাজ আৰু তেখেতৰ কৰ্ম্মচাৰীসকল,

(৩) চাৰ্ ফিৰোজ্ চেণ্ড্‌না; এখেতক তাহানিৰ কাউন্সিল অব্ ষ্টেটৰে পৰা চিনি পাওঁ,

(৪) মিষ্টাৰ চিন্তামণি; বম্বেলৈ যাওঁতে বেলতে

এখেতে সৈতে চিনাকি হৈছিলোঁ। বিলাতত কোনো কোনো কথাত এখেতৰ পৰামৰ্শও লৈছিলোঁ।

(৫) চাৰ চি, পি, ৰামস্বামী আয়াৰ। এখেতৰ লগত দুগৰাকী পুতেক আৰু এজনী বোৱাৰীয়েকো আছিল।

(৬) কৰ্ণেল গিড্‌নি; এখেতে পিছত স্যাৰ উপাধি পাইছে।

(৭) মিষ্টাৰ এইচ, পি, ম'দি (mody) এখেতে পাৰ্চী সমাজৰ এগৰাকী সুদক্ষ লোক; লগত মিচেচ্‌ ম'দি আৰু এটি চেমনীয়া লৰাও আছিল।

(৮) বম্বে প্ৰদেশৰ স্যাৰ চিমন্‌লাল শীতলবাদ। মিষ্টাৰ ইমাম মজিদৰ পত্নীও এই জাহাজতে বিলাতলৈ গৈছিল। ইয়াৰ বাহিৰে, আন আন ভাৰতীয় যাত্ৰী আৰু যুক্তপ্ৰদেশৰ গভৰ্ণৰ স্যাৰ মেল্‌কল্‌ম্‌ হেইলিকে আদি কৰি চাহাব চুহুবো জাহাজত ভালেখিনি আছিল। সকলোটিয়ে সৈতে ৰঙ্গে ধেমালিয়ে যোৱাৰ গুণত, সেই অথায় সাগৰৰ মাজতো ঘৰ যেন লাগি গৈছিল। আমাৰ মেলৰ মেলুৱৈসকলৰ কেইবা দিনো একোখন আলোচনা সভা বহিছিল। ভূপালৰ নৱাব বাহাদুৰে এটা "টি-পাৰ্টি আৰু দ্বাৰভাঙ্গাৰ মহাৰাজাধিৰাজে এটা ডাঙৰ ভোঁজো দিছিল। ভাৰতৰ স্বৰাজৰ বাটত দেশীয় ৰজাসকলে একো হকা-বধা নকৰে বুলি প্ৰথমতে এই জাহাজতে বুজিব পাৰিছিলোঁ।

কোনো কোনো যাত্ৰীক সাগৰ-ব্যাধিয়ে ধৰিছিল। আমাৰ কিন্তু অহা যোৱা দুই বাৰতে তেনে হোৱা নাই। ইয়াৰ পিছৰ বাৰ, মোৰ আন এটি লৰা নিছিলোঁ। তাৰো কেতিয়াও সেই বিকাৰ হোৱা নাছিল।

২য় অধ্যায়

জাহাজ

সাগৰৰ ডাঙৰ ডাঙৰ যাত্ৰী-জাহাজ বিলাকক একো একোখন আমোদ-ভৱন বুলিব পাৰি। তলে ওপৰে কেউমহল ধৰিলে, জাহাজ একোখনত সৰু সুৰা নগৰ এখনৰ ঠাই ওলাব। একো একোখন জাহাজৰ কি বিশাল বপু, তাক বন্দৰত বান্ধি থওঁতে, পাৰৰ পৰা চাইহে বুজিব পাৰি। ৰাতি হলে, জাহাজখন দেখিবলৈ বৰ কপহ হয়। পানীৰ মাজত বহুত ঠাই জুৰি, নতুনকৈ কেইবা মহলীয়া কাৰেং এটা সাজি, তাক শাৰী শাৰী বিজুলী চাকিৰে ঝক্‌মকাই থোৱা যেন দেখি। এনে ডাঙৰ জাহাজবোৰ কলিকতাৰ গঙ্গাৰ ঘাটলৈ নাহে; বম্বেতহে দেখিবলৈ পোৱা যায়। জাহাজ একোখন বন্দৰত লাগোতে, তাক চাবলৈ পাৰত বহুত মানুহ গোট খায়।

জাহাজখনত উঠিলেগৈ, পোনেই চকু পৰে তাৰ নিকা অৱস্থা আৰু সুন্দৰ সুশৃঙ্খলাত। তাৰ বাবে, ভাগে ভাগে মানুহ লগোৱা আছে। জাহাজখন দিনৌ ধোৱে; আৰু য'ত যি বস্তুৰ প্ৰয়োজন, তাক সেই ঠাইত সুৰুচিৰে সজায় থয়। কেবিনবিলাকৰ ভিতৰত, যাত্ৰীৰ প্ৰয়োজনীয় সকলো বস্তু অকণমান ঠাইতে পৰিপাটিকৈ সজোৱা থাকে।

জাহাজৰ ভিতৰতে, সাঁতুৰিবলৈ পুখুৰী আছে, বেড-মিন্‌টন আদি অনেক প্ৰকাৰৰ ব্যায়ামৰ আৰু ডবা আদি বিবিধ খেলৰ দিহা আছে; যিমান মাইল মন যায় ফুৰিবলৈ ঠাই আছে; ছাপাখানা আছে; বেণ্ডপাৰ্টি, নাচ-গান আৰু ওয়াৰলেচ আছে। গোটেই জগতৰ ঘাই ঘাই বাতৰিবোৰ দিনৌ পুৱা জাহাজতে পঢ়িবলৈ পোৱা যায়। সেইবিলাক ওয়াৰলেচেৰে ধৰি, টাইপ কৰি, যাত্ৰীক পঢ়িবলৈ দিয়া হয়। ইংৰাজী জাহাজতকৈও ইটালীয় জাহাজতহে আমোদ-প্ৰমোদৰ সৰহ ব্যৱস্থা দেখিলোঁ; তাত চিনেমাও বাদ পৰা নাই। উপৰি ধন দি বন্দোৱস্ত কৰি ললে, জাহাজত যেলেগে ৰান্ধি খোৱাৰ দিহা কৰিব পাৰি।

জাহাজখনে পতি তিনি শ্ৰেণীৰ কাম কৰা মানুহ থাকে। প্ৰথম—কাপ্টান, ইঞ্জিনিয়াৰ, ডাক্তৰ প্ৰভৃতি কৰ্ম্মচাৰীসকল; দ্বিতীয়—ষ্টুৱাৰ্ড বা লগুৱাসকল; তৃতীয়—খালাচীসকল। ষ্টুৱাৰ্ডৰে কিছুমানে কেবিনৰ যাত্ৰীৰ আলপৈচান ধৰে; সিহঁতে যাত্ৰীৰ ঢাৰি-পাটী পৰাৰ পৰা জোতা বুৰুজ কৰালৈকে সকলো কাম কৰি দিয়ে; অৱশ্যে সেই বাবে সিহঁতক কিছু কিছু পুৰস্কাৰ দিব লাগে। এই বিলাক ষ্টুৱাৰ্ডক কেবিন ষ্টুৱাৰ্ড বোলে। কেবিন ষ্টুৱাৰ্ড-বিলাক, যি দেশৰ জাহাজ, সেই দেশৰে লোক; যেনে ইংৰাজৰ জাহাজত ইংৰাজ, ইটালীৰ জাহাজত ইটালীয় ইত্যাদি। আৰু কিছুমান ষ্টুৱাৰ্ডে, যাত্ৰীসকলে খাবলৈ

বহিলে, তেওঁলোকৰ আল্‌ ধৰে। সিহঁতৰ আধাখিনি য়ুৰোপীয় আৰু আধাখিনি ভাৰতীয় মানুহ। ইংৰাজৰ জাহাজত খালাচীৰো আধাখিনি ভাৰতীয়, আৰু ইঞ্জিনত কাম কৰা সৰহ ভাগ মানুহ পাঠান। এই পাঠানবিলাকৰ বৰ দুখ। সিহঁতে জাহাজৰ তলিত, জোন বেলি নেদেখা ঠাইত, জুইৰ মাজত, বিষম জহত সদায় কাম কৰিব লাগে। তাত কেতিয়াবা ২২০ ডিগ্ৰীলৈকে হেনো জহ হয়। কিন্তু, ইহঁতৰ দৰ্ম্মহা, খোৱাৰ বাজে, ২৫।৩০ টকাৰ সৰহ নহয়। ৰন্ধা-বঢ়া কৰা মানুহৰো এভাগ য়ুৰোপীয় আৰু এভাগ ভাৰতীয়। জাহাজত কাম কৰা সকলো শ্ৰেণীৰ মানুহে ভাগে ভাগে বেলেগ ইউনিফৰ্ম্ম পিন্ধিব লাগে।

ইংৰাজৰ জাহাজতকৈ বিদেশী জাহাজত ভাৰতৰ মানুহে সৰহ সন্মান পায়। মই পিছৰ বাৰ দেশলৈ আহোঁতে, ইটালীয় জাহাজত আহিছিলোঁ। তাত কাপ্টানে এটা ভোজ দিছিল; জাহাজত বহুত য়ুৰোপীয় থকাতো, সেই ভোজত ভাৰতীয় এজনকহে সভাপতি পাতিছিল। ইংৰাজ কোম্পানীৰ জাহাজ হোৱা হলে, কি জানি তেনেটো নহ'ল হেঁতেন। স্বাধীন দেশত সোমালেগৈ আৰু জাহাজতো স্বাধীন মানুহৰ সঙ্গত পৰি, পৰাধীন জাতিৰ মানুহৰ মনতো অলপ স্বাধীন ভাবৰ সঞ্চাৰ হয়। কিন্তু, নিজ দেশত নিজৰ অৱস্থালৈ মনত পৰিলে, সেই ভাব আকৌ ততালিকে বিষাদৰ ডাৱৰে ছাটি পেলায়।

জাহাজ কোম্পানী একোটা চলোৱাটো একোখন ৰাজ্য চলোৱাৰ দৰে কাম। ইয়াত কত মানুহৰ জীৱন আৰু সম্পত্তিৰ বাবে দায়িত্ব থাকে, কত মানুহৰ খাটনিৰ প্ৰয়োজন হয়, জগৎ জুৰি কত কল-কাৰখানা, কত অফিচ, কত লিখা-পঢ়া, কত হিচাপ কিতাপ দিনে চলিব লাগিছে, তাক ভাবি চালে তধা মানিব লাগে। টমাচ কুক্‌ কোম্পানীয়ে জাহাজ-যাত্ৰীৰ এজেণ্টৰ কাম কৰে। এই কোম্পানীৰ কাৰ্য্য-প্ৰণালীয়ে বিশিষ্ট ব্যৱসায়-বুদ্ধিৰ চিনাকি দিয়ে। পৃথিবীৰ সকলো বন্দৰ আৰু সকলো ডাঙৰ নগৰতে, এই কোম্পানীৰ অফিচ আছে, অফিচে পতি বিবিধ Department বা বিভাগ আছে; আৰু প্ৰত্যেক বিভাগতে অসংখ্য কেৰাণীয়ে কাম কৰিব লাগিছে। প্ৰতিটো অফিচতে দিনে হাজাৰ হাজাৰ মানুহৰ সমাগম হৈছে আৰু লাখ লাখ টকাৰ কাৰবাৰ চলিছে। তথাপি, এই সকলোবিলাক অফিচৰ ওপৰত, একেখন ঘাই অফিছে এই জগৎব্যাপী কৰা কাৰ-বাৰটো একেটা কৰি সুন্দৰ ৰূপে শৃঙ্খলা লগাই চলাব লাগিছে। পাশ্চাত্য জগতৰ এনে ব্যৱসায়-বুদ্ধি আৰু কাৰ্য্য-প্ৰণালী আমি সৰ্ব্ব প্ৰযত্নে অনুকৰণ কৰা উচিত।

(ক্ৰমশঃ)

ক্ৰীকেটৰ কথা

—শ্ৰীযুত যোগেন্দ্ৰ নাথ শইকীয়া, বি-এছ-ছি

ক্ৰীকেটৰ জন্ম ইংলণ্ডত। তাৰপৰা লাহে লাহে অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, দক্ষিণ আফ্ৰিকা আদি উপনিবেশ বোৰত ক্ৰীকেট খেলা প্ৰচলিত হবলৈ ধৰে। আদিৰে পৰা অষ্ট্ৰেলিয়াবাসীবিলাকে ক্ৰীকেট খেলাক বৰ আগ্ৰহৰ চকুৰে চাইছিল আৰু কালক্ৰমে এই খেলৰ তেওঁলোকৰ ইমান ব্যুৎপত্তি হ'ল যে খুব সোনকালে তেওঁলোকে ইংলণ্ডক চেৰ পেলাবলৈ ধৰিলে। দুবছৰৰ মূৰে মূৰে ইংলণ্ড আৰু অষ্ট্ৰেলিয়াৰ মাজত 'টেষ্ট্‌ মেচ্‌' (test match) বোলা কিছুমান খেলা হয়। তাত যি দলে জিকিব পাৰে, সেইদলে 'এশ্বেজ' (The Ashes) বোলা কাপটো লৈ যায়। এই 'এশ্বেজ' নামটো হোৱাৰ কাৰণ আছে। ১৮৮২ চনত অষ্ট্ৰেলিয়াই ইংলণ্ডক খুব বেয়া ৰকমে হৰুৱায়। সেই

সময়ত 'স্পোর্টিং টাইমছে' এনেদৰে মন্তব্য দিয়ে যে অষ্ট্রেলিয়াই ইংলণ্ডৰ ক্রীকেটক থৰি দি ছাই সোণা লৈ গ'ল। তাৰ পৰাই 'এশেজ' নামটো হয়। আজিলৈকে যিমানবোৰ 'টেষ্ট্ মেচ্' খেলা হৈছে, তাৰ ভিতৰত সৰহ ভাগ অষ্ট্রেলিয়াৰ হাততে আছে। ১৯৩০ চনত হোৱা পাঁচখন খেলৰ ভিতৰত ইংলণ্ডই এখনত জিকে, দুখন শেষ নোহোৱাকৈ থাকে আৰু অষ্ট্রেলিয়াই বাকী দুখনত জিকে।



পাটাউডিৰ নবাব।

আৰম্ভনিৰে পৰা হোৱা ক্রীকেট-খেলুৰৈ বিলাকৰ মাজত প্রথম পাচ�জন কোন, সেই সম্পর্কে সৰহ ভাগ সমালোচকৰ মত এনে,—প্রথম ডাঃ ডব্লিউ, জি গ্রেছ, দ্বিতীয় ৰণজিৎ সিংহ, তৃতীয় ভিক্টৰ ট্রাম্পাৰ (অষ্ট্রেলিয়াৰ) চতুৰ্থ, জি, এল, জেছপ, পঞ্চম, জ্যাক হব্ছ্। বহুতৰ মতে ভাৰতৰ গৌৰৱ ৰণজিতেই প্রথম ঠাই পাব লাগে। এই লেখ ১৯২৮ চনৰ, গতিকে অষ্ট্রেলিয়াৰ আচৰিত খেলুৰৈ ডন ব্রেডমেনৰ নাম তেতিয়া বিচাৰত পৰা নাছিল, আগৰ ফটাৰ বোলা ইংৰাজ এজনে কৰা ২৮৭ 'ৰাণে'ই "টেষ্ট্ মেচ্" বিলাকত বেকর্ড আছিল। ১৯৩০ চনত ব্রেড্মেনে ৩৩৪ কৰি সেই বেকর্ড ভাঙ্গি পেলালে। এওঁৰ বয়স এতিয়া মুঠেই ২৪ বছৰ। ভবিষ্যতলৈ যে তেওঁলৈ বহুত নাম যশ বৈ আছে, তাত কোনো সন্দেহ নাই।

কুৰি শতিকাৰ আৰম্ভনিতে ৰণজিতে ক্রীকেট খেলুৰৈ হিচাপে খুব নাম কৰিলেও ভাৰতৰ ক্রীকেট হলে একেবাৰে পানী-কেচুৱা অৱস্থাত আছিল। ১৯১১-১২ চনত পাতিয়ালাৰ মহাৰজাই ভাৰতৰ পৰা টিম এটা লৈ বিলাত লৈ গৈ এই কথাষাৰ ভালকৈ প্রমাণ কৰিলে। গাইৱটীয়া হিচাপে কেইজনমান ভাল খেলুৰৈ থাকিলেও দল হিচাপে টিমটোৱে মুঠেই ভাল নাম কৰিব নোৱাৰিলে। সৰহ ভাগ খেলতে তেওঁলোক হাৰিল। সেই দলটোৰ ভিতৰত মেহৰমজী, আৰু কৰ্ণেল মিস্তিৰ নাম উল্লেখ যোগ্য। বাদুৰ বল দিয়া দেখি বহুতে কৈছিল যে এওঁ সেই সেই প্রথম শ্রেণীৰ টিমতে ঠাই পাব। ভাল 'বেটছ্'ৰ (batting) কাৰণে পাছৈ খেলুৰৈ মেহৰমজী ডাঃ ডব্লিউ, জি, গ্রেছৰ চকুত পৰিছিল। দুর্ভাগ্যক্রমে শৰীৰ অসুস্থতাৰ হেতুকে এওঁ সৰহ ভাগ খেলাতে খেলিব নোৱাৰিলে। ভাৰতীয় খেলুৰৈ দলৰ খেলা দেখি এজন অভিজ্ঞ সমালোচকে কৈছিল যে ইহঁত বৰ টান এটা সাধাৰণ দ্বিতীয় শ্রেণীৰ টিম। আন এজনে কৈছিল যে ভাল পাৰ্ছিক স্কুল এটাই ভাৰতৰ টিমটোক হৰুৱাব পাৰিব।

অথচ ভালকৈ শিকনি পালে ভাৰতৰ মানুহে যে ভাল খেলুৰৈ হব নোৱাৰিব তাৰ কোনো অর্থ নাই। ভাল খেলুৰৈ হবলৈ হলে চকুৰ আৰু মনৰ তৎপৰতাৰ প্রয়োজন। সেই দুটা বস্তু ভাৰতৰ মানুহৰ আন কোনো জাতিতকৈ কম নহয়। ৰণজিৎ খেলাৰ কথা ডাঃ গ্রেছৰ আগত মানুহ এজনে উদ্ধৃকিয়াল্ত তেওঁ এনে দৰে কৈছিল "With his Indian eyes he sees the ball a fraction of a second quicker than an Englishman." ১৯১৪ চনৰ পৰা ১৯১৮ চনলৈকে মহাযুদ্ধৰ কাৰণে জীৱন বৰণ সমস্তাই খেল-ধেমালিৰ কথা মানুহৰ মনত তল পেলালে। যুদ্ধ শেষ হোৱাৰ পিছতঁ আকৌ লাহে লাহে খেল যেয়াৰি বিগাকে ঠন ধৰি উঠিবলৈ ধৰিলে। খেলুৰৈ বিলাকৰ খেলত মন দিবলৈ সকাহ পালে।

কেইজনমান ভাৰতীয় ৰজাৰ পৃষ্ঠপোষকতা নোপোৱা হলে ভাৰতীয় ক্রীকেট আজিলৈকে কেচুৱা অৱস্থাতে থাকিব লাগিলহেঁতেন। ৰণজিৎসিংহজীৰ নাম ওপৰত কোৱা হৈছে। তেওঁৰ পিছত পাতিয়ালাৰ মহাৰজাৰ নাম উল্লেখযোগ্য। বহুবি বিলাতবপৰা ভাল খেলুৰৈ অনাই এই

নিজৰ টিমৰ মানুহ বিলাকক শিকনি দিয়ে। ১৯২৬ চনত ইংলণ্ডৰ পৰা টিম এটা ভাৰতলৈ খেলিবলৈ আহে। সেই টিমে কেইবনমান খেলত জিকে, কেইবনমান খেল শেষ নোহোৱাকৈ থাকে; কিন্তু কোনো খেলতে ইংলণ্ডৰ টিমটো নাহাৰিল। ইংলণ্ডৰ টিমৰ বিপক্ষে যি কেইজন ভাৰতীয় খেলুৰেয়ে ভালকৈ খেলিব পাৰিছিল, তাৰ ভিতৰত কেপ্টেইন নাইডু, নাজিৰ আলি আৰু গ্রাজিৰ আলিৰ নাম লেখত লব লগীয়া। গ্রাজিৰ আৰু নাইডু দুয়ো ইংলণ্ডৰ টিমৰ বিপক্ষে এশতকৈ ওপৰ ৰাণ (century) কৰে, আৰু নাজিৰ আলিক বিলাতৰ খেলুৰৈ বিলাকে ভা�ৰতৰ শ্রেষ্ঠ বাউলাৰ (bowler) বুলি স্বীকাৰ কৰে। নাজিৰ আলিৰ খেলা দেখি পাতিয়ালাৰ মহাৰজাই ক্রীকেট ভালকৈ শিকিবৰ কাৰণে তেওঁক বিলাতলৈ পঠাই দিছে। তাত কোনো প্রথম শ্রেণীৰ টিমত খেলিবৰ সুযোগ নাপালেও তেওঁ ক্লাবৰ খেলত ভাল নাম কৰিছিল। ১৯৩০ চনত অষ্ট্রেলিয়াৰ বিপক্ষে খেলোঁতে এওঁৰ বলতে ডন ব্রেডমেন আউট্ (out) হয়।

ইমান দিনলৈকে অকণ ৰণজিয়েই ভাৰতৰ বাহিৰে ক্রীকেটত নাম কৰিছিল, লাহে লাহে তেওঁৰ ভাইজাক দুমাৰ দলীপসিংহজীৰ কৃতিত্ব জনাজাত হবলৈ ধৰিলে। এওঁ প্রথমে অক্সফোর্ড আৰু কেম্ব্রিজৰ মাজত হোৱা খেলত নাম কৰে। ১৯২৮ চনত এওঁ ছাছেক্স কাউণ্টি টিমত সোমায়। দুবছৰৰ ভিতৰতে এওঁৰ খেলা সকলোৰে চকুত পৰিল। ১৯৩০ চনত ২০০০ ৰাণ প্রথমতে এওঁৰেই হয়। বছৰৰ শেষত আটাইবোৰ খেলতে কৰা ৰাণ হিচাপ কৰি গড় উলিয়াই 'বেটিং এভেৰেজ' ঠিক কৰা হয়। মোহা বছৰৰ বেটিং এভেৰেজত এওঁ পঞ্চম আছিল। ১৯০০ চনত অষ্ট্রেলিয়াৰ বিপক্ষে খেলিবলৈ দ্বিতীয় থন টেষ্ট্ মেচত এওঁ নির্ব্বাচিত হয়। প্রথম বাৰতেই এওঁ ১৭৩ ৰাণ কৰে। ১৯৩০ চনৰ খেলত কেনো ইংৰাজ খেলুৰৈয়ে টো মেচত ইমান ৰাণ কৰিব পৰা নাছিল। এই বছৰো এওঁ ভালকৈ খেলিছে। এওঁ বৰ্ত্তমান ছাছেক্স টিমৰ কেপ্টেইন আৰু ইংলণ্ডৰ এজন প্রধান খেলুৰৈ। পাটাউডিৰ নবাবেও ক্রীকেট খেল ইংলণ্ডতে ভালকৈ শিকে। ১৯৩১ চনত হোৱা অক্সফোর্ড আৰু কেম্ব্রিজৰ খেলতে এওঁ ২৩৮ ৰাণ কৰে, তেতিয়ালৈকে তেওঁ 'আউট্' হোৱা নাছিল। অক্সফোর্ড আৰু কেম্ব্রিজৰ মাজত হোৱা খেলবোৰত কোনেও আজিলৈকে ইমান ৰাণ কৰিব পৰা নাই। এওঁৰ খেলা দিনক দিনে উদাবলৈ ধৰিছে। মোহা বছৰ বেটিং এভেৰেজত এওঁ দ্বিতীয় আছিল। এই বছৰ এওঁ ৱৰচেষ্টাৰশায়াৰৰ ফালে খেলিছে। ভদ্রলোক আৰু খেলুৰৈ বিলাকৰ মাজত হোৱা খেলত এইবাৰ এওঁ চেঞ্চুৰি কৰে। এইবাৰ এই খেলত হব্ছ্ আৰু দলীপসিংহই হে কেৱল চেঞ্চুৰি কৰে। এই খেলত চেঞ্চুৰি কৰিব পৰাটো সকলো খেলুৰৈৰে হাবিয়াসৰ কথা। এইবাৰ জাবকালি অষ্ট্রেলিয়াত খেলিবলৈ যাবৰ কাৰণে দলীপ আৰু পাটাউডি নবাবৰ ওচ্চো নিমন্ত্রণ পাইছে।



দলীপসিং

১৯৩০ চনত ভিজিয়ানাগ্রামৰ ৰজাই ইংলণ্ডৰ বিখ্যাত খেলুৰৈ হব্ছ্ আৰু ছাটক্লিফক নিমন্ত্রণ কৰি ভাৰতলৈ আনে। এওঁলোকে দিল্লী, কলিকতা আদি সকলো প্রধান প্রধান ঠাইতে খেলে। সকলো ঠাইবে খেলুৰৈবিলাক দেখি শুনি ভাৰতৰ ক্রীকেটৰ ভবিষ্যৎ সম্পর্কে হব্ছে উচ্চ ধাৰণা প্রকাশ কৰে। কেপ্টেইন নাইডুৰ সম্পর্কে তেওঁ কয় যে গোটেই পৃথিবীৰ মাজত এটা টিম কৰিলেও এওঁ তাত ঠাই পাব। বাউলাৰ হিচাপে গোলাম মহম্মদ আৰু উইকেট কিপাৰ নাজ্লে এওঁৰ চকুত পৰিছিল। ৰাজনৈতিক আন্দোলনৰ বাবে ১৯৩১ চনত ভাৰতীয় টিমে বিলাতত খেলিবলৈ যোৱা কথাটো আলোচনাতে থাকিল। হয়তো কামটো একেবাৰেই

সম্ভবপর নহলহেতেন, কিন্তু ভিক্সিয়ানাগ্রামর বজার দানে কামটো সহজ কবি পেলালে, ভাবতর পবা টিম পঠোন্না হ'ল। কিন্তু কেইটামান কথার কারণে টিমটো যিমান ভাল হব লাগিছিল, সিমান ভাগ নহ'ল। দলীপ সিংহজীয়ে খেলিব নোরাবিলে; কারণ তেতিয়া হলে অষ্ট্রেলিয়ার বিপক্ষে খেলার আশা জলাঞ্জলি দিব লাগে। প্যাটাউডির নবাবে খেলিম বুলি কৈও শেষত কিবা কারণত খেলিবলৈ অসম্মত হয়। তার পিছত বোম্বের হিন্দু জিমখানাই কথাষার ভাল চকুবে নোচোরাত দেশবে ভিতরত বাছকবনীয়া দুজন খেলুৰৈ—এল, পি, জয় আৰু চম্পক মেহটা বাছনি খেলত খেলিবলৈ আহিব নোরাবিলে। এওঁলোক দুয়ো অহা হলে নির্ব্বাচিত হব বুলি সকলোরে ভাবিছিল।

যোৱাৰ আগতে এমাহমান ক্রীকেট টিমটোরে পাতিয়ালার মহারজার আলহী হিয়াপে থাকি অষ্ট্রেলিয়ার



ভিজিয়ানা গ্রামর কুমার

খেলুৰৈ ফ্রেঞ্চ টাৰাণ্টৰ শিকনি পায়। ফ্রেঞ্চ টাৰাণ্টে টিমটোরে গৈ বিলাতত ভাল নাম কবিব বুলি মত প্রকাশ কবে। ভাবতীয় খেলুৰৈবিলাকৰ নিজৰ ধাৰণা আৰু তেওঁলোকৰ সম্পর্কে সাধাৰণৰ মত আছিল যে তেওঁলোকৰ বল দিয়া আৰু 'ফিল্ডিং' কবাতকৈ 'বেটিং' হে বেছি ভাল। কিন্তু বিলাতৰ খেলাবপবা বল দিয়া আৰু ফিল্ডিং কবা বেছি সন্তোষজনক যেন দেখা গৈছে। ভাবতৰ টিম ভাল হলেও যে ইংলণ্ডবে সৈতে সমানে সমানে খেলিব পাবিব সেই কথা কোনেও সপোনতো ভবা নাছিল। কিন্তু অসম্ভৱো সম্ভৱত পৰিণত হ'ল। অক্সফোর্ড আৰু কেম্ব্রিজৰ আমাৰ টিমে সহজে হকৰালে। ল্যাঙ্কাশ্যায়াৰ কাউন্টিৰ বিপক্ষে ৪৯০ বাণ আজি চাবি বছবে কোনেও কবিব পবা নাছিল। এইবোৰ দেখি শুনি জুনৰ ২৫, ২৬, ২৮ তাৰিখে ভাবতৰ বিপক্ষে টেষ্ট্ মেচ্ খেলিবলৈ যিটো ইংবাজ টিম নির্ব্বাচিত হ'ল, সেই টিমটো ভাবতৰ বিপক্ষে নহৈ অষ্ট্রেলিয়াৰ বিপক্ষে হোৱা হলেও কাৰো বিশেষ আপত্তি কবিব লগীয়া নাছিল। সেইদিনাৰে পবা ভাবতীয় ক্রীকেটৰ নতুন যুগৰ অৱতাবণা বুলি কলেও বোধকবোঁ ভুল নহব, এই



চাৰ্ট্ৰিফ

খেলাত ভাবতীয় টিমৰ প্রথমতে এটা দুর্ঘটনা হয়। নাজিৰ আলিৰ ভৰিত বল লাগি দুখ পায়। নাজিৰ আলিয়ে এই মেচত বল দিব নোরাবিলে। এই অসুবিধা স্বত্বেও ইংলণ্ডে মুঠেই ২৫৯ বাণ হে কবিব পাবে। ইমান কম বাণত ইংবাজ টেষ্ট্ টিম্ এটাক আউট কবিব পবাটো অতি কৃতিত্বৰ কথা, যদিও শেষত এই খেলাত ভাবত ১৫৮ বাণত হাবিল। তথাপি তেওঁলোকৰ খেলা সকলোরে শলাগিলে। অমবসিং আৰু মহম্মদ নিছাৰ বল দিয়া আৰু লালসিঙৰ 'ফিল্ডিং' দেখি সকলো মুগ্ধ হ'ল।

ভাবতীয় টিমে আজিলৈকে প্রথম শ্রেণীৰ খেলাত ভিতৰত ৯ খনত জিকিছে আৰু দুখনত হাবিছে। টেষ্ট মাত্র এখন খেলাতহে হাবিছিল। তিনি মাহমান এবে লেঠাবিয়ে খেলা, বিদেশৰ অচিনাকী জলবায়ু আদিয়ে কেবাজনো খেলুৰৈক মাজে মাজে অসুস্থ বাখে। কেপ্টেইন পোবন্দৰৰ খজাই ভালকৈ খেলা দেখুৱাব নোরাৰাৰ কাৰণে নিজৰ ইচ্ছামতে প্রধান খেলাবোবৰ পবা আঁতৰি থাকে। দুর্ভাগ্য ক্রমে গোলাম মহম্মদৰ বিলাতলৈ গৈ একেবাৰে ভালকৈ খেলিব নোরাবিলে। বাৰ্ডহুডীয়া তেওঁৰ ধৰণেৰে বল-দিয়া মানুহ আৰু টিমত নাই গতিকে তেওঁৰ অভাব কোনেও পূবাব নোৱাবে। এইবিলাক কথাৰ কাৰণে এজন খেলুৰৈ অসুস্থ হলেই ভাবতীয় টিমৰ বৰ অসুবিধা। নাইডু আৰু ওৱাজিৰ আলিৰ 'বেটিং' সকলোরে শলাগিছে। কিছুমান সমালোচকে নাইডুৰ

দৃষ্টিবীৰ ভিতৰত চতুর্থ খেলুৰৈ বুলি খোজে। নাইডুরে আজিলৈকে পাচোটা চেণ্ট্ৰি কবিছে। ওৱাজিৰ আলিয়ে চাবিটা। তাৰ বাহিবেও নাওমল, নাজিৰ আলি, কোলা, অমবসিং, মাশাল এওঁলোকেও চেঞ্চুৰি কবিছে।

ভাবতীয় ক্রীকেটৰ ভবিষ্যৎ উজ্জ্বল যেন লাগে। বিলাতত থকা খেলুৰৈ বিলাকৰ ভিতৰত সবহ ভাগবে বয়স ৩০ বছৰৰ কম। টীমৰ শ্রেষ্ঠ 'বাউলাৰ' কেইজন— অমবসিং মহম্মদ নিছাৰ আৰু জাহাঙ্গীৰ খাঁ, আটাইকেইজন কম বয়সীয়া। গতিকে বিদেশত পোৱা অভিজ্ঞতাবে সৈতে উন্নতি কবিবলৈ সময় তেওঁলোকৰ আছে। বণজিৎ সিংহৰ আৰু এজন ভতিজাক সমবসিংহ এই বছৰ কেম্ব্রিজলৈ যাব। তেৱোঁ ভাল খেলুৰৈ হয় বুলি আশা কবা যায়। আৰু এজন ভতিজাক ইন্দ্রবিজয়ৰ সম্পর্কে বণজিৎ ধাবণা খুব ওপ। তেওঁ আশা কবে যে ইন্দ্রবিজয় দলীপতকৈও ভাল খেলুৰৈ হব। ইন্দ্রবিজয়ক ক্রীকেট খেলিবলৈ অষ্ট্রেলিয়াৰ ফ্রেঞ্চ টাৰাণ্টে শিকাইছে। টাৰাণ্টে তেওঁৰ ছাত্রৰ পবা আৰু বেছি আশা কবে। গতিকে সুদূৰ ভবিষ্যতত ভাবতে অষ্ট্রেলিয়া আৰু ইংলণ্ডবে সমানে সমানে টেষ্ট্ মেচ খেলিব পাবিব বুলি আশা কবিলে বোধকবোঁ খুব বেছি আশা কবা নহব।

বর্ষাৰ মেঘ

—কবিতা —শ্রীযুত গণেশচন্দ্র গগৈ

(১)

চক্র ভেদি স্বর্ণ কিবণ
মুক্তি পথত পবিল ধবা,
সুপ্ত কিয় তৰুণ তপন,
লুপ্ত কিয় চন্দ্র, তবা?
সান্ধ্য-সমীৰ শান্তিহীন
নয়ন কোণত অশ্রুভাব,
পুব গগনে গবজে গম্ভীব
প্রভাত কফ কদ্ধ ঘাব।
কোন পাতকীৰ পাপৰ ছায়া
আলোক পথত মূর্ত্তিমান
তুচ্ছ কবে উচ্চ ৰবিৰ
স্বার্থবিহীন শ্রেষ্ঠ দান?

(২)

আকুল ভয়ত বৃক্ষ কঁপে
বিহ্বলতাত বিবহী লতা,
মগ্ন কবিৰ অগ্র ভাগে
লগ্ন ক্ষণত নীবৰে পতা।
ধীৰ তটনীৰ অধীৰ তীবে
শিঞ্জবীণাৰ দীন বাগিণী
চেতন হীনা, মান নাভাগে
ব্যথা, বিবহত অভিমানিনী!
কঁপে চকিতা শিশুহবিণী
কান্দে কাতৰে কেতেকী, কুলি
—ভবা বাবিষাৰ গগন পথত
মাৰোঁ মেঘাগীৰ উবিছে ঢুলি!

(৩)

দীপ্ত ৰবিৰ কণকপুৰী
অভিষিক্ত অশ্রু ধাবে
উর্দ্ধে বাজে বজ্র-ভেৰী
স্তব্ধ ধবা অন্ধকাবে!
গগনপথে অগ্নি জ্বলে
মৌন বায়ু আত্মহাবা
সৃষ্টিনাশা সর্ব্বনাশী
অঘো নামে বৃষ্টিধাবা।
বিশ্ব জুবি ব্যাকুল ব্যথা
আকুল বিশ্ব চবাচব
ক্লান্ত ৰবিৰ কিবণ ছবি
ম্লান পথত অগ্রসব!

অসম-গৌৰৱ*

বা

স্বৰ্গদেও প্ৰতাপসিংহ

(বুৰঞ্জীমূলক নাটক)

—শ্ৰীযুত শৈলধৰ ৰাজখোৱা বি-এ

ভাৱৰীয়া সকল :—

(পুৰুষ)

প্ৰতাপ সিংহ—সৌমাৰ পতি

বুঢ়া গোঁহাই, বৰ গোঁহাই—মন্ত্ৰীসকল

আথেক গোঁহাই—এজন আহোম সেনাপতি

লাঙ্গি—ৰজাৰ চোৰাংচোৱা (পিছত বৰফুকন)

সদানন্দ—কোচ ৰজাৰ পুৰোহিত

কাচিম খাঁ—বঙ্গলাৰ নবাব

সত্ৰাজিৎ—নবাবৰ তলতীয়া এজন হিন্দু ৰজা

(পিছত পাণ্ডুৰ থানাদাৰ)

মিঞাচাহাব—নবাবৰ অনুগৃহীত লগৰীয়া

চৈয়দ হাকিম—জাহাঙ্গীৰ বাদছাৰ সেনাপতি

চৈয়দ আবাকাৰ—ঐ সহকাৰী সেনাপতি

ইস্মাইল, কৰিম বক্স, আৰু আবদুল্লা } মুছলমানৰ পৰীয়া চিপাহী

ৰাতিৰাম, ভলক—অসমীয়াৰ পৰীয়া চিপাহী

চেংধৰা—কছাৰী ৰজাৰ চোৰাংচোৱা

জোনাব খাঁ—মুছলমান হাবিলদাৰ

গোবিন্দ—এজন বিদ্ৰোহী অসমীয়া জমিদাৰ

চিকণ—(ছদ্মবেশী ৰূপহী)

৩টা গৰখীয়া ল'ৰা, দুৱৰী, কটকী, নাচনী ইত্যাদি

(তিৰোতা)

মঙ্গলময়ী—কোচ ৰাজকন্যা, প্ৰতাপসিংহৰ কুঁৱৰী

পদুমী—ঐ সখী

ৰূপহী—আথেক গোঁহাইৰ ঘৈণীয়েক

কমল—সত্ৰাজিতৰ ঘৈণীয়েক

১ম অঙ্ক

১ম দৃশ্য—ৰাজ আলি

(লাঙ্গি সোমাই আহে)

লাঙ্গি—কাম কৰিব চোৰাংচোৱাই, নাম হবগৈ আকৌ তেওঁবিলাকৰ! জয়ন্তীয়াপুৰৰ পৰা কতনো বুদ্ধি-ভাৰসা দি কছাৰীক ৰণত ঘটুৱাই জয়ন্তীয়া কুঁৱৰীক নিৰাপদে আনি ৰজাক শোধালোহি মই, নামটো হ'ল গৈ আকৌ আথেক গোঁহাইৰ! কাৰণ, সি হৈছে এটা সেনাপতি, আৰু মই হৈছোঁ এটা ফটুৱাই ফটা চোৰাংচোৱা! সিনো কাৰ জহত নামটো কৰিবলৈ পালে ৰজায়ো ভাবি নাচায় নহয়! সৌমথা কছাৰী এতিয়া নামবৰ হাবিতে লুকাই আছে! সিইতে মোৰ চকুত কি ধূলি মাৰিব? এতিয়া যদি এই বাতৰি মই নিদিওঁ গৈ, তেন্তে আথেক বা তাৰ বাপেক সুন্দৰ গোঁহাইৰ ৰহা-ৰফা কৰিবৰ ক্ষমতা হবনে? নহয়, এনেকৈ পোণ পটিৰে চলিলে মই আৰু উধাব নোৱাৰোঁ; ৰজায়ো মোক চিনি নাপাব। (ভাবে)

(বাটকৰা বেশেৰে চেংধৰা সোমাই আহি লাঙ্গিৰ আগেদি যায়।)

* শিৱসাগৰ নাট্য সমাজৰ আদেশত ৰচিত। শিৱসাগৰ নাট মন্দিৰত তিনি বাৰ অভিনীত হৈছিল।—লিখক

লাঙ্গি—সেইটো কোন অ'? মোৰ ছাঁটো গছকি যাবৰ তই কোন? নিচেই পৰি-মৰা যেন দেখিলি হবলা?

চেংধৰা—এ, নেদেখিলোঁ দেও, বেয়া নাপাবা।

লাঙ্গি—নেদেখিবি তো! বৰুৱা-ফুকণ-এটা হোৱা হলেহে দেখিলিহেঁতেন! লাঙ্গি চোৰাংচোৱাক কেনেকৈ দেখিবি?

চেংধৰা—অ' আপুনিয়েই লাঙ্গি চোৰাংচোৱা নে কি?

লাঙ্গি—তইনো কোন বুলি ভাবিছিলি? মনেৰে লগুৱা-লিকচৌ এটা বুলি ধৰি লৈছিলি, নহয় বাৰু?

চেংধৰা—ইঃ! তেনে কথা কিয় কয়? আপোনাক নজনা মানুহ কোন আছে? পাছে, আপুনি ছদ্মবেশেৰে থাকিলে কাৰ সাধ্য আপোনাক চিনি পাব! আপোনাৰ নিচিনা বুধিয়ক মানুহ এজনে বৰুৱা ফুকণ হওঁ বুলিলেনো হবলৈ কেতে পৰ?

লাঙ্গি—হওক তেও বোপাই! তয়ে মোক অলপ চিনিছ! চাচোন, একৰকমে চাবলৈ গলে মোৰ বুদ্ধিৰ বলতে ৰাজ্যখনি চলিছে; তেওঁ ৰজাই আকৌ আমাক চিনিকে নাপায়!

চেংধৰা—আপুনি চিনাকি দিলেহে চিনি পাব! আপুনি জানো চিনাকি দিবলৈ কেতিয়াবা মন কৰিছে?

লাঙ্গি—আৰুনো কেনেকৈ চিনাকি দিবি বাৰু? ৰাতিয়ে দিনে ঘূৰি ফুৰি সেনাপতি সকলক বাতৰি যোগাওঁতে ভৰিৰ এছাল গ'ল। তথাপি আমাৰ নামেই নাই।

চেংধৰা—এঃ! আপুনি তেনেকুৱা হোলোংপটিৰ মানুহ হলে কেনেকৈ চিনাকি দিব? বুদ্ধি থাকিলেই নহয়; বুদ্ধিটো চেগ চাই কামত খটাব লাগে।

লাঙ্গি—এৰা, তোৰ কথাষাৰ হলে মনত লাগি যাব লগা। তইনো কোন, তোৰ কি নাম অ' পায়?

চেংধৰা—মই কম বাৰু। হাজাৰো হওক, কপালীৰ কপালখন কোনে কাঢ়ি নিব পাৰে? নহলেনো দেশত অতবোৰ মানুহ থাকোতে আপোনাৰ ওচৰলৈহে মোক পঠাব পায়নে? তাকেহে ভাবিছোঁ, বোলো যাৰ কপালত ৰাজভোগ আছে, তেওঁ যেনেহলেও উধাব।

লাঙ্গি—হেঁৰ তোৰ কথাবোৰ দেখোন কিবা পাক-লগা! তোকনো মোৰ ওচৰলৈ কোনে পঠালে?

চেংধৰা—তাকে কওঁ বুলিয়েইতো আহিছোঁ। পাছে ইয়াত কবলৈ সুবিধা হব জানো? কোনোবাই শুনিব লাগিলে আকৌ সৰ্ব্বনাশ! হওঁতে আপোনাৰ নিচিনা...

লাঙ্গি—তোৰ পাতনিখন থ, কি কবলৈ আছে খৰকৈ ক, ইয়াত কোনো নাই।

চেংধৰা—কওঁ বাৰু। (ইফালে সিফালে চাই) আমাৰ সেনাপতি ভীমদৰ্পই মোক আপোনাৰ ওচৰলৈ পঠাইছে।

লাঙ্গি—তই তেনেহলে কছাৰীৰ চোৰাংচোৱা! হৰি! হৰি! তই লাঙ্গি চোৰাংচোৱাৰ চকুতো ধুলি মাৰিলি? গায়ে গোটে, কথাই-বতৰাই, ভাবে-ভাষাই তই গোটেইটো লাঙ্গে লাঙ্গে আহোমটো! তোক কোনে কছাৰী বুলি ধৰিব?

চেংধৰা—এ, আপোনাৰ ওচৰতনো মই কি কুটা! আপুনি ভালকৈ মন কৰা নাছিল হবলা!

লাঙ্গি—পিছে তোক মোৰ ওচৰলৈ পঠোৱা সকাম?

চেংধৰা—সেনাপতিয়ে কৈ পঠাইছে, আপুনি যদি কোনো উপায়েৰে আথেক গোঁহাইক সসৈন্যে ৰহাৰ পৰা আঁতৰাই পঠাই আমাক ৰহা অধিকাৰ কৰিবলৈ সুবিধা কৰি দিব পাৰে, তেন্তে এহেজাৰ সোণৰ মোহৰ পুৰস্কাৰ পাব।

লাঙ্গি—(মনতে) এহেজাৰ সোণৰ মোহৰ! যক ৰহা কছাৰীৰ হাতলৈ! মোৰ কি লোকছান? ভালেই হল, আথেকৰো এইবাৰ অহঙ্কাৰ চূৰ্ণ কৰিব পৰা হব। (ফুটাই) তোৰ কথাৰ বিশ্বাস কি?

চেংধৰা—আপুনি মান্তি হৈছোঁ বুলি গাত ললে আমাৰ সেনাপতিয়ে এশ মোহৰ আগধন দিবলৈ কৈ পঠাইছে।

লাঙ্গি—বাৰু, দে এশ মোহৰ।

চেংধৰা—আপুনি তেনেহলে মান্তি হৈছে?

লাঙ্গি—নহলেনো খোজোঁনে? মোৰ কাম মই কৰিম। পিছে, মনত ৰাখিবি সেই—মোক ভুৱা দিব লাগিলে হলে তয়ো সুদাই নাসাৰ।

চেংধৰা—আপুনি চিন্তাই নকৰিব। আপোনাক চিনি পাৱলৈ নো আৰু মোৰ বাকী আছেনে? ধৰক, এয়া মোহৰ। (মোহৰ দিয়ে) পিছে এটা কথা, মৌলৈ আকৌ নাপাহৰিব দেই!

লাঙ্গি—(মোহৰ লেখি) বাৰু নাপাহৰোঁ। সুকলমে কাম সমাধা হলে তয়ো এভাগ পাবি। আৰু এটা কথা মন কৰিছনে? কাইলৈ আথেকক পঠাই দিলে তহঁতৰ সেনাপতি ভীমদৰ্প নে অৰ্জ্জুনদৰ্প ই ৰাতি মনে মনে বহা আক্ৰমণ কৰিবলৈ আহিব নহয় জানো? এই বাতৰি যদি মই আগেয়ে সুন্দৰ গোঁহাইক দি থওঁ, তহতে বহা লব পাৰিবি জানো?

চেংধৰা—আপুনি বাতৰি নিদিয়েগৈ বুলিহে ভাবিছোঁ!

লাঙ্গি—অকল ভাবিলেই তো নহব। তাৰ ৰাবেও এটা বন্দৰস্ত কৰ আকৌ!

চেংধৰা—তাৰ বাবে আৰু এহেজাৰ সোণৰ মোহৰ পাব। মই সেনাপতিক কমগৈ।

লাঙ্গি—তেনেহলে কাইলৈ আথেকক আঁতৰাই পঠোৱা মাত্ৰে এই ছহেজাৰ মোহৰ একেবাৰে দিব লাগিব; নহলে কাম পণ্ড হব জানিবি।

চেংধৰা—ভাল সেয়ে হব। মই এতিয়া আহোঁহে।

(চেংধৰা ওলাই যায়)

লাঙ্গি—'মাস্তি ছৈছোঁ' এই এবাৰ কথাৰ দাম এই এশ মোহৰ! ইয়াৰ পিছত আৰু চটামান কথা খবচ কৰিলে এহেজাৰ মোহৰ! তাৰ পিছত বাতৰি নিদিয়াকৈ বহি থাকিলে আৰু এহেজাৰ মোহৰ! মিছা নহয়,—কপালীৰ কপালধন কোনে কাঢ়ি নিব পাৰে? আজি ভালেমান দিন ৰণছীক নেদেখি আথেকৰ মন থৌকি-বাথৌকি লাগিছে। তেওঁক ঘৰলৈ পঠাই দিবলৈ সৰহ কথা খবচ কৰিব নালাগিব। অ' সৌৱা, নাম লওঁতেই ওলালহি। পাৰোঁ যদি এতিয়াই কামটো সমাধা কৰি থওঁ।

(আথেক গোঁহাই সোমাই আছে। লাঙ্গিয়ে প্ৰণাম কৰে।)

আথেক—চোৱাচোৰা! তুমি ক'ৰ পৰা আহিলা? কছাৰীৰ কিবা সংবাদ পালানে?

লাঙ্গি—নাই গোঁহাই দেউ! হাবিয়ে-বননিয়ে বিচাৰি পাত পাত কৰিলোঁ, চুদিনৰ বাটলৈকে কছাৰীৰ নাম-গোন্ধকে পাৱলৈ নাই। আজি শুনিলোঁ সিহঁত বোলে মাইৰঙলৈ উলাট গ'লগৈ।

আথেক—বহা তেনেহলে এতিয়া নিবাপদ?

লাঙ্গি—মোৰ মনেৰে সম্পূৰ্ণ নিবাপদ গোঁহাই দেউ! আমি মিছাতে ইয়াত থপি মৰিছোঁ।

আথেক—বহা নিবাপদ যেন বুজিলে স্বৰ্গদেৱে মোৰ দিখৌমুখলৈ উলটিবলৈ কৈছিল। মই তেনেহলে যাবঁৰেই পাৰোঁ দেখোন।

লাঙ্গি—আপুনি অনায়াসে যাব পাৰে গোঁহাইদেউ! কছাৰী মাটিৰ তলত সোমাই থকা হলেও মই গম পালোঁহেঁতেন। গোঁহাইদেউ দিখৌমুখ পালে এবাৰ গৈ আইদেউকো দেখা দি আহিব পাৰে দেখোন। ন ছোৱালী, চিন্তা কৰি আছে চাগৈ দেহি!

আথেক—যাম লাঙ্গি! এদিন গড়গাঁওলৈ গৈ তেওঁকো দিখৌমুখলৈকে লৈ আহিমগৈ। তোমালোকে সাৱধানে থাকিবা। কছাৰীৰ কিবা সংবাদ পালে পিতাদেউক তৎক্ষণাৎ জনাবা।

লাঙ্গি—সেইটো নো কব লাগিছেনে গোঁহাইদেউ! মই থাকোঁতে একো চিন্তাই নকৰিব।

আথেক—বাৰু, পিতাদেউৰ অনুমতি লৈ মই যাবলৈ ওলাওঁগৈ। মোৰ ছহেজাৰ সৈন্য মোৰ লগতে যাব। আজি নিশা কছাৰীৰ কিবা বাতৰি পালে মোক তৎক্ষণাৎ জনাবা।

লাঙ্গি—ভাল গোঁহাইদেউ!

(আথেক যায়গৈ)

লাঙ্গি—সেইক্ষা। এহেজাৰ মোহৰৰ দিহাতো হলেই! বাকী এহেজাৰৰ বাবে কাইলৈ দিনতো ওই থাকিলেই হব।

(যায়গৈ)

২য় দৃশ্য—কাৰেঙৰ সমুখৰ আলি

(ৰবাগী বেশেৰে বীণ বজাই গীত গাই সদানন্দ সোমাই আছে।)

গীত

সদানন্দ—

অসম অসম সোণৰ অসম
বীৰ প্ৰসৱিনী চেনেহী আই,
শ্যামল ৰৱণী তুমি গিৰি বাণী
সৰগতো তোমাৰ তুলনা নাই।
প্ৰকৃতি জীয়ৰী মুনি মনোহাৰী
তুমি পৰাধীনা নোহোৱা আই,
শোভিছে শিৱতে অক্ষয় কিৰিটী,
ৰাজৰাজেশ্বৰী অসমা আই।
গিৰি নিৰ্ঝৰিণী গালে নিচুকনি
শুলে অসমীয়া চেতনা নাই,
উঠা বীৰ নাৰী অসম কুৱঁৰী
বজোৱা শিঙা জগোৱা আই।
শুনোৱা জননী চিলাৰায় কাহিনী
ৰাণ-ভগদত্তৰ কথা বিনাই,
গোৱা গিৰি বাণী উষা আইৰ কাহিনী
উঠক অসমীয়া চেতনা পাই।

(ভলক সোমাই আছে)

ভলক—এই বল।

সদানন্দ—কোন তই? কলৈ যাব লাগে?

ভলক—মোৰ লগত যাব লাগে।

সদানন্দ—কিয়?

ভলক—পৰ্ব্বতখন যে খিয়!

সদানন্দ—হেৱ, বুঢ়া মানুহক তেনেকৈ পেংচাই কৰিব পায় জানো?

ভলক—কি পেংচাই কৰিছোঁ? আদেশ পাইছোঁ, আছিছোঁ।

সদানন্দ—কাৰ আদেশ, কলৈ যাব লাগে নকৰ কিয়?

ভলক—অ, সেইযাৰ কব লাগে? আদেশ ছৈছে কুৱঁৰীৰ, সম্প্ৰতি যাব লাগে কুৱঁৰীৰ বুলনিলৈ। তাৰ পিছত ইয়াত কোঢ়াল কৰাৰ বাবে জেবেজাসৈ। গম পালি এতিয়া?

—৭

সদানন্দ—বাৰু পাইছোঁ। বল যাওঁ।

(ছয়ো ওলাই যায়।)

(পট পৰিবৰ্ত্তন)—কুৱঁৰীৰ বুলনি

(ছয়ো আকৌ সোমাই আছে।)

ভলক—তই ইয়াতে অলপ ৰ। মই বাতৰি দিওঁগৈ।

সদানন্দ—বাৰু যা।

ভলক—(দোখোজমান গৈ উলাট চাই) পলাবি নেকি আকৌ?

সদানন্দ—নপলাওঁ, তই যা।

(ভলক যায়গৈ।)

সদানন্দ—ৰাজলক্ষ্মী! কোচবাজ্য এৰি, যিদিনা আহিলা তুমি,
সিদিনাৰ পৰা, অমঙ্গল বাজ্যত আমাৰ।
সিদিনাৰ পৰা ছিন্ন-ভিন্ন ৰাজশক্তি গৃহকন্দলত!
বৰ আশা কৰি চাপিছোঁহি কাষ আজি!
নহবনে শুভদৃষ্টি পিতৃ-ৰাজ্য লই?

(পদ্মমী সোমাই আছে।)

পদ্মমী—ৰবাগী! আইকুৱঁৰীয়ে তোমাৰ গীততি শুনিবৰ মন কৰে। ইয়াতে আকৌ এবাৰ গোৱা।

সদানন্দ—বাৰু আই, কোনজনা কুৱঁৰীৰ বা আদেশ?

পদ্মমী—আমাৰ কামৰূপৰ আইদেউৰ আদেশ।

(পদ্মমী যায়গৈ।)

সদানন্দ—(বীণ বজাই গীততো আকৌ গায়। কুৱঁৰী মঙ্গলময়ী সোমাই আছে।)

কুৱঁৰী— কোন তুমি ছদ্মবেশী?
সঙ্গীতৰ মোহিনী সুৰেৰে,
পূৰ্ব্বজন্ম সৌৱৰণী যেন,
কত কথা জগালা প্ৰাণত! কোৱা, কোন তুমি?
যদিও বা শক্তিহীনা নাৰী,
অসম কুৱঁৰী মই,
পাবা তুমি যোগ্য পুৰস্কাৰ।

সদানন্দ—মাতৃ!
ভিখাৰী ৰবাগী মই কামৰূপবাসী।
তুমি দেৱী সৌভাগ্যৰ উচ্চ আসনত,
সৌমাৰৰ ৰাজৰাজেশ্বৰী।

তুমিয়েনে শক্তিহীনা নাৰী ?
কিয় কৰা ছলনা জননী ?

কুৱঁৰী— ৰৱাগী ! নাজানা তুমি,
ৰাজৰাণী হই সহিছোঁ কি যাতনা প্ৰাণত !
কামৰূপৰাসী তুমি শুনিছা নিশ্চয়,
স্বদেশৰ দুৰ্দ্দশাৰ কথা ।
পিতা মোৰ বন্দী আজি শত্ৰুৰ হাতত ;
মৌগলৰ অসুৰ মুখত ছিন্ন-ভিন্ন পিতৃৰাজ্য ।
নেদেখিলোঁ প্ৰতিকাৰ তাৰ ।
সৌমাৰৰ বজা-প্ৰজা সকলো নীৰৱ ;
কি সাধ্য জগাম মই অসম প্ৰজাক ?

সদানন্দ— শক্তিস্বৰূপিনী তুমি
ৰাজলক্ষ্মী আহোম কুলৰ ! তুমি মাতৃ সজাগ যেতিয়া,
শোৱা নাই সৌমাৰৰ প্ৰজা ।
ইচ্ছা যদি কৰা তুমি,
নোৱাৰানে পিতৃৰাজ্য কৰিব উদ্ধাৰ ?

কুৱঁৰী—নোহোৱা মানুহ তুমি !
ছদ্মবেশী দেৱতা নিশ্চয় !
নিৰাশাত ডুবি থকা মানস-পটত,
আঁকিদিছা আশাৰ ছবিটি !
কোৱা দেউ ! আছেনে উপায় কিবা
পিতৃৰাজ্য উদ্ধাৰৰ মোৰ ?

সদানন্দ—শুনা আই ! দিওঁ মই চিনাকি নিজৰ,—
সদানন্দ নাম মোৰ পিতাৰৰ কুল-পুৰোহিত ।
চেনেহৰ কামৰূপ মোৰ
ধ্বংশ আজি শত্ৰুৰ হাতত ।
আহিছোঁ লগত লৈ শেষ আশা বলি কোৱঁৰক ।
দিয় যদি আশ্ৰয় বলিক,
হব পাৰে কোচৰাজ্য উদ্ধাৰ পুনৰ ।

কুৱঁৰী— দেউ ! জানিব প্ৰণাম মোৰ,
জনাব প্ৰণাম মোৰ দদাইদেউ বলি কোৱঁৰক ।
নাপায় আশ্ৰয় তেওঁ
আহোম ৰাজ্যত । ক্ষত্ৰিয় সন্তান হই
প্ৰাণৰ ভয়ত, ত্যাগ কৰি ৰণভূমি,
কোন মতে আহিলে পলাই ? ছি ! ছি !
ৰাখিলে কলঙ্ক মোৰ পিতাৰ কুলত ।
নাচাওঁ তেওঁৰ মুখ ।

সদানন্দ—আই !
যি কুলত তোমাহেন নাৰীৰ জনম,
পাৰেনে জন্মিব তাত কাপুৰুষ তেনে ?
স্বদেশৰ দুৰ্দ্দশাৰ হেতু
পিতাৰৰ আজ্ঞাক্ৰমে ৰণভূমি এৰি,
লইছে আশ্ৰয় আহি তোমাৰ কাষত ।
মিছিলে আশ্ৰয় তুমি সিংহৰ সন্তান,
উলটিব নিজ ৰাজ্যলই ।
প্ৰাণ দিব অকলই সমুখ ৰণত ।

কুৱঁৰী— দেউ ! পিতৃ-আজ্ঞা কৰিম পালন ।
যথাসাধ্য কৰিম সহায় । যাওঁ মই,
অভ্যৰ্থনা হেতু কৰোঁগই যথা আয়োজন ।
আজি নিশা হীনবেশী
কোচ কোৱঁৰক, নোৱাৰোঁ কৰিব দেখা,
দেখা পাব কালি পুৱাতেই ।

(যাওঁগে)

সদানন্দ— নহওঁ নিৰাশ ।
তোমাহেন শক্তিময়ী নাৰী-নিশ্বাসত
যুগে যুগে পৃথিবীৰ উত্থান-পতন !
চাওঁ ৰাক শেষ ফল ।

(যাওঁগে)

৩য় দৃশ্য—ৰঙ্গাৰ ময়ণা ঘৰ

(প্ৰতাপসিংহ আৰু লাঙ্গি)

প্ৰতাপ—কি কলি চোৰাংচোৱা ? কছাৰীয়ে ইমান সহজে আমাৰ সৈন্য ধ্বংশ কৰি ৰহা অধিকাৰ কৰিলে! সেনাপতি সুন্দৰ আৰু আথেক গোঁহাইৰ সংবাদ কি ?

লাঙ্গি—সুন্দৰ গোঁহাই ৰণত পৰিল স্বৰ্গদেউ! আথেক গোঁহাই আৰু তেওঁৰ সৈন্যবিলাক পুৱাৰে পৰা গড়ৰ ভিতৰত নাছিল। কলৈ গ'ল কবই নোৱাৰোঁ।

প্ৰতাপ—কি ! আথেক গোঁহাইয়ে তেন্তে ৰণ কৰা নাছিল ! আমি বুজিব পাৰিছোঁ তইতৰ আওহেলাতে আমাৰ সৈন্য ধ্বংশ হৈছে। তইত এটাইবোৰ শুই আছিলি ?

লাঙ্গি—বন্দী শোৱা নাছিলোঁ স্বৰ্গদেউ! বন্দীয়ে নিশা কছাৰী অহা গম পাই গড়ৰ ভিতৰত বাতৰি দিবলৈ যে দেখোঁ, তেনেই বেমজালি! বণুৱাবোৰে ফটিকা গাই কোঢ়াল কৰি আছে। আথেক গোঁহাইক বিচাৰি নাপাই সুন্দৰ গোঁহাইক বাতৰি দিবলৈ যাওঁতে ইফালে ৰঙ্গাই পালেহিয়েই। সুন্দৰ গোঁহাইয়ে লৰালৰিকৈ কিছুমান লুঙা লৈ বণ কৰি নিজে প্ৰাণ দিলে। বন্দীয়ে তেতিয়া উঠাই নাপাই নিজেই এজাক বণুৱা লগত লৈ বণ জিলোঁগৈ। পিছে মই সেনাপতি নহওঁ দেখি মোক কোনেও নমনা হ'ল। আমাৰ মানুহ যেনিয়ে তেনিয়ে পলাবলৈ ধৰাত কছাৰীয়ে অনায়াসে কোঠ অধিকাৰ কৰিলে। বৰী কোনোমতেহে সাৰি আহিছোঁ।

প্ৰতাপ—কি আচৰিত ! আহোম সেনাপতি ইমান উদ্ধুমল ! সেনাপতি জীয়াই থাকোঁতে চোৰাংচোৱাই জয় ধৰিব লগা হ'ল ! চোৰাংচোৱাং, চাওদাং বৰুৱাক আমাৰ আদেশ শুনাই কবি, আথেকক ম'তে পায় ত'বেপৰা ৰণী কৰি আনক ।

লাঙ্গি—ভাল স্বৰ্গদেউ !

প্ৰতাপ—বহাত তই নিজে অস্ত্ৰ ধৰি কোঠ ৰক্ষা কৰিবলৈ চেষ্টা কৰা শুনি আমি বিশেষ সন্তোষ পাইছোঁ। দুয়ৱাৰ স্বৰূপে তোক নেওগ ফুকন পতা হব ।

লাঙ্গি—স্বৰ্গদেউৰ অনুগ্ৰহ !

প্ৰতাপ—তোৰ আৰু কিবা সংবাদ দিবলৈ আছেনে ?

লাঙ্গি—হৈছে স্বৰ্গদেউ ! নবাব কাচিম খাঁই কামৰূপ অধিকাৰ কৰি মহাৰাজ পৰীক্ষিতক বন্দী কৰি দিল্লীলৈ গৈছে। কোৱঁৰ বলিনাৰায়ণ পলাই আছি আমাৰ কামৰূপীয়া আইকুৱঁৰীৰ আশ্ৰয় লৈছেহি ।

প্ৰতাপ—মুছলমানে কামৰূপ অধিকাৰ কৰা সংবাদ আমি পাইছোঁ। কোৱঁৰ বলিনাৰায়ণ কেতিয়া আছিল ? কুঁৱৰীয়ে তেওঁক আশ্ৰয় দিছেনে ?

লাঙ্গি—আশ্ৰয় দিছে স্বৰ্গদেউ ! মই কালি নিশা আহি পাওঁতেই দুজন অচিনাকী মানুহ ছদ্মবেশেৰে ৰাজধানীত সোমোৱা দেখি মনে মনে পাছ ধৰি সকলো গম লৈ আহিলোঁ।

প্ৰতাপ—বুজিছোঁ। ৰাক, তই যা। বুঢ়াগোঁহাই ডাঙৰীয়াক আমাক ইয়াতে এবাৰ লগ ধৰিবলৈ কবি।

লাঙ্গি—ভাল স্বৰ্গদেউ। (যায়গৈ)

প্ৰতাপ—(ভাবি ভাবি) অসম্ভৱ ? কিয় অসম্ভৱ ?
ইমান দুৰ্ব্বল মই ? জয় কৰি গোটেই
ভাৰত, ৰহিছে মোগল আজি দুৰাৰত
মোৰ। থাকোঁ যদি অপেক্ষি সময়,
ছল পালে অকস্মাৎ আক্ৰমণ কৰি,
কাঢ়ি লব জন্মভূমি মোৰ ! নোৱাৰে
সিকথা হব ! স্বাধীন অসম মোৰ,
চিৰকাল থাকিব স্বাধীন । নকৰোঁ
অপেক্ষা আৰু । কাঢ়ি লম কোচৰাজ্য ।
পাৰ কৰি ৰৱতোৱা নৰাৰৰ সেনা,
তাৰ পিছে আন কাম । অসম্ভৱ
নেদেখোঁ ইয়াত । কত বাৰ মোগলে
পাঠানে, আক্ৰমিলে সোনৰ অসম,
পাৰিলেনে স্বাধীনতা কৰিব হৰণ ?
জনা আছে মোগলৰ অস্ত্ৰশিক্ষা
অসম সেনাৰ । বুজিব ইবাৰ,
অসমৰ বাহুবল ৰণৰ কৌশল ।
নকৰোঁ কছাৰী ৰণ । আগে মই
আক্ৰমিম প্ৰাগজ্যোতিষপুৰ ।
দেশদ্ৰোহী মহাৰাজ লক্ষ্মীনাৰায়ণ
মোগলৰ আশ্ৰয় ভিখাৰী ।
পাৰোঁ যদি সৌৰাষী জাতীয় গৌৰৱ
তেওঁবেও মিত্ৰতা কৰিম ।

(দুৰাৰমুখত মঙ্গলময়ী কুৱঁৰীয়ে দেখা দিয়ে ।)

প্ৰতাপ—কোন ?

কুৱঁৰী—(ওলাই আহি) পূৰ্ণিমাৰ জোন ।

প্রতাপ—মোৰ হৃদয়াকাশৰ পূৰ্ণিমাৰ জোন ! অকস্মাৎ আজ্ঞাৰ মন্থণা ঘৰ গোহবালা কিয় ?

কুৱঁৰী—প্রয়োজন আছে।

প্রতাপ—কিবা প্রয়োজন ?

কুৱঁৰী—মোৰ এটা অনুবোধ আছে।

প্রতাপ—আদেশ নে অনুবোধ কুৱঁৰী ?

কুৱঁৰী—অসমৰ ভাগ্যবিধাতাক আদেশ কৰিবৰ আমাৰ কি শক্তি ?

প্রতাপ—তেনেহলে কি শক্তিৰে দিল্লীৰ সম্রাটৰ হাতৰ পৰা পলাই অহা কোৱঁৰ বলিনাবায়ণক আশ্রয় দিছা ?

কুৱঁৰী—আচৰিত কথা ! কোনে কলে আপোনাক ?

প্রতাপ—আমি অন্তর্য্যামী। তুমি কি অনুবোধ কৰিবলৈ আহিছা তাকো বুজিছোঁ। চিন্তা নাই কুৱঁৰী ! তুমি যাক আশ্রয় দিছা, আমি তেওঁক প্রাণপণে বক্ষা কৰিম।

কুৱঁৰী—তাৰ পৰিণাম কি ভাবি চাইছে নে স্বর্গদেউ ?

প্রতাপ—চাইছোঁ। দিল্লীৰ বাদছাহে আমাৰ বিৰুদ্ধে অস্ত্র ধাৰণ কৰিব। কিন্তু প্রতাপসিংহৰ হাততো জানো অস্ত্র নাই কুৱঁৰী ?

কুৱঁৰী—প্রভো ! তেনেহলে প্রতিজ্ঞা কৰক মোৰ পিতৃবৈৰীক প্রতিশোধ দিব, মোৰ দদাইদেউক পিতৃবাঞ্ছিত বজা পাতিব।

প্রতাপ—প্রতিজ্ঞা কৰিছোঁ কুৱঁৰী ! সেয়ে মোৰ জীৱনৰ লক্ষ্য। আক কিবা কব লগা আছেনে ?

কুৱঁৰী—আছে, মই এই বণ চাবলৈ যাম।

প্রতাপ—ভাগ্যলক্ষ্মী ! মই তোমাক বাধা নিদিওঁ। যাবা, কিন্তু সাৱধানে থাকিবা। এজন উপযুক্ত সেনাপতি তোমাৰ বাহৰ বৰীয়া হৈ যাব। এতিয়া তুমি প্রস্তুত হোৱাগৈ। (কুৱঁৰী যায়গৈ।)

প্রতাপ—"মন্ত্রৰ সাধন কিম্বা শৰীৰ পতন", জীৱনৰ মূলমন্ত্র মোৰ। কোচক হাতত লৈ ভাতৃভাৱে কছাৰীক সাৱটি ধৰিম। নহবনে কার্য্যসিদ্ধি মোৰ ?

(বুঢ়াগোঁহাই সোমাই আহে।)

বুঢ়া গোঃ—(সেৱা কৰি) স্বর্গদেউ !
কি আদেশ মোৰ প্রতি ?

প্রতাপ—ডাঙ্গৰীয়া ! বহাৰ সংবাদ পাইছেনে ! বণৰ কাৰণে যোগ্য আয়োজন হৈছেনে ?

বুঢ়া গোঃ—স্বর্গদেউ ! বণৰ আহিলা পাতি প্রস্তুত সকলো। কছাৰী বজাৰ অসহনি অত্যাচাৰ। স্বর্গদেউ, আদেশিলে ততালিকে প্রতিকাৰ কৰোঁ।

প্রতাপ—ডাঙ্গৰীয়া ! কছাৰী বণৰ আমি সকাম নেদেখোঁ। সৌমাৰৰ সৈন্য-সেনাপতি মোগল সেনাৰ সমুখীন হব লাগে। কামৰূপ আমি লব লাগে। তুৰন্তে প্রস্তুত হওক।

বুঢ়া গোঃ—যি আদেশ স্বর্গদেউ ! কিন্তু আমি কছাৰী বজাক কিমতে বাখিম ? ছল পালে আহি বাজধানী আক্রমিব।

প্রতাপ—চিন্তা নাই। স্বদেশৰ কল্যাণৰ হেতু, শত্রু-দমনেৰে আমি মিত্রতা কৰিম। আহোম গাভৰু এটি কছাৰী বজাক দিব লাগে।

বুঢ়া গোঃ—যি আদেশ স্বর্গদেউ ! কিন্তু—

প্রতাপ—ডাঙ্গৰীয়া ! আক তৰ্কৰ সময় নাই। অসম বাজধানী প্রাগজ্যোতিষপুৰ মোগলে লব নোৱাৰে। যেনে তেনে আমি কাঢ়ি লম। নোৱাবিলে অসমীয়া জাতি ক্ষাণ হওক ; বুৰঞ্জী পিঠিত আক আহোমৰ নাম থাকিব নালাগে। যাওক, তুৰন্তে প্রস্তুত হওক। ভবানী বুধত নবাবৰ সেনা আক্রমক।

(বুঢ়াগোঁহাঞে সন্মতি সূচক প্রণাম কৰি যায়গৈ।)



প্রীতি-সম্মিলন

পৰাজয়

—গল্প

—শ্ৰীসিদ্ধিপতি শৰ্ম্মা

এখনি গাৱঁলীয়া জীৱনৰ ছবি মনত আঁকি লোৱা। ৰবঘৰ, মাৰলঘৰ, বাটঘৰ, আৰু আখল (ৰান্ধনি) ঘৰেৰে হাউলিটোৰ এফাল জুৰি আছে। ঘৰৰ সমুখতে এটা সৰু পুখুৰী; তাৰ কাষতে গোঁসাইঘৰ; তাৰ গাতে লগা এখন ফুলনি—নাৰ্জ্জী, শেৱালী, গুটিমালী, খৰিকাজাই আদি সুগন্ধ আৰু নিৰ্গন্ধ ফুলেৰে জাতিষ্কাৰ। ঘৰৰ আগতে এডুখৰি আগ চোতাল। ভিতৰফালে ফু মাৰি ভাত খাব পৰা আহল-বহল ভিতৰ চোতাল। দুপৰীয়াৰ ৰ'দত ভিতৰ চোতাল-খনিৰ ফালে চাই পঠিয়ালে দেখিবা ঢাবিত মেলি দিয়া ধান; ওচৰতে চালনি আৰু ডলাত নানাবিধ 'শুথি' (কল, কোমোৰা আদি শুকাই শুথি কৰে)। চোতালৰ ওচৰতে গৰু-ছাগলিৰ প্ৰকোপৰ পৰা ৰক্ষা কৰিবলৈ জেওৰা দি থোৱা শাকনি বাৰী—লাই, লফা, পালেং, চুকা, বাবৰি, উৰহী আৰু কত কি? অলপ আঁতৰত গোহালি—গাই, দমৰা, পোৱালী ভৰি এগোহালি হৈ আছে। বাওঁ হাতে কুৰি খোজমান গৈয়ে পাবা এটা পুখুৰী—পানী ফটিকৰ ধাৰ যেন; এই খিনিৰ পৰাই বাৰীৰ আৰম্ভ; চাপত বিধে বিধে বাঁহ; আম, কঠাল, লেটেকু, পণিয়ল, জামু, জৰা আদি অসংখ্য শইছৰ গছ। তামোলৰ গছৰ শাৰী; তামোল গছ জোপাই পতি পাণ বগাইছে। বাৰীখন পাৰ হৈ সিফালে ইপাৰ সিপাৰ নমনা ধানৰ পথাৰ। নকলেও হব বাৰীখনৰ এফালে আঠিয়া, জাহাজী, মনোহৰ, চেনিচম্পা আদি কলৰ গছ। এই খনেই ভোগৰাম বৰাৰ বাপতীয়া সাহোন; নিজৰ ঘৰৰ মাহ, সৰিয়হ, ধান আৰু শাক পাচলিয়ে নিজৰ কাৰণে যে আটেই, হাট বজাৰত বেচাই দুই চাৰি পইছা উপাৰ্জ্জন কৰিবও পাৰে। কবলৈ গলে ভোগৰাম গাওঁ-খনৰ ভিতৰত এজন 'মাতব্বৰ' মানুহ। সুদলৈকো কেবা শ টকাও মেলি দি ভোগৰামে লাভৰ ওপৰতে লাভ কৰে। ভোগৰাম মানুহটো সৰলচিতীয়া আৰু লগে লগে পোন পটিয়া; আংবাং কথা বা টেটোনালি সমুলি ভাল নাপায়। কেউ প্ৰসঙ্গতে গুৰুসেৱা নকৰাকে নাথাকে। মুখৰ চেহে-ৰাত ৩৫।৪০ বছৰ বয়স যেন লাগে; কিন্তু গাৱঁৰ বুঢ়া-মেথাই কয় হেনো ভোগাই ওৰফে ভোগৰামৰ বয়স আঢ়ৈ কুৰিৰ সীমা দেই গ'ল; নীতি-নিয়মত আছে বাবেহে হেনো দেখিবলৈ নিচেই কুমলীয়া হৈ আছে। ঘৰত ঘৈণী, এজনী ছোৱালী, এটি ল'ৰা আৰু দুজনী বান্দী। ল'ৰাটিয়েই ডাঙৰ; প্ৰবেশিকা পৰীক্ষা পাছ কৰি কলিকতাত বেপাৰ বণিজৰ কলেজত (বি-কম) পঢ়ে। বৰ পো দুৰ্গাৰাম পাছ হোৱা শুনি ভোগৰামৰ গা উঠিল, লগতে ঘৈণীয়েকৰো—ভাবিলে ল'ৰাই বি-এ, পঢ়ক (ভোগৰামেও তাহানিখন হেনো ফ'ৰ্থক্লাছলৈ পঢ়িছিল; বি-এ, আই-এ, এই বিলাকৰ কথা ভালকৈ ভূপায়।) কিন্তু দুৰ্গাৰামৰ মন গ'ল বাণিজ্যৰ পৰীক্ষা পঢ়িবলৈ। ইংৰাজী জনা ল'ৰাৰ যেনে মতি বুদ্ধি হোৱা বুলি শুনা যায় দুৰ্গাৰামৰ তেনে মতি বুদ্ধি নাছিল; অন্ততঃ মাক বাপেকে দুৰ্গাৰামক স্কুলত পঢ়া দিন কেইটা মইমতালি কৰা নেদেখিলে। চুৰিয়া, সেওঁতা ৰমক-জমক কৰক চাৰি চুটিকৈ চুলি কাটি গাত মোটা চোলা চুৰিয়া যেতিয়া দুৰ্গাৰামক বাপেকে পিন্ধা দেখিলে, তেওঁ ভাবি বিবুধি হ'ল—ল'ৰাইতৰ আকৌ ইনো কি ধুন? এবাৰ কলিকতাৰ পৰা দুৰ্গাৰাম ঘৰলৈ আহিছিল,—ভোগৰামে দেখিলে সেই আগৰ দুৰ্গাৰামেই আছে, তিল পৰিমাণো সলনি হোৱা নাই। দুৰ্গাৰামৰ বয়স হব প্ৰায় ২৩।২৪ বছৰ। বৰ্ণনা নকৰি খুপতেই কৈ থওঁ যে ল'ৰাটি শান্ত, ধীৰ, বুদ্ধিমান আৰু ভদ্ৰ; গাৱঁৰ মানুহে ভোগৰামৰ পুতেকৰ কথা কয়—'ধইন ধইন ভোগ-

ৰামৰ ল'ৰা ; এনেহে হব লাগে'। দুৰ্গাৰামৰ পাছৰটি ছোৱালী—তৰা। ল'ৰাটো জন্মাৰ ৭।৮ বছৰলৈকে ভোগ-ৰামে সন্তান-সন্ততিৰ মুখ দেখা নাছিল। পূজা-পাতল কৰাৰ পাছত তৰাৰ জন্ম হয় ; তেতিয়া দুৰ্গাৰামৰ বয়স ৮।৯ বছৰ। তৰাৰ কোষ্ঠীৰ নাম মহামায়া ; বুঢ়ীমাকে ছোৱালীজনীৰ ফুল-পাহি যেন জিলিকি থকা মুখখনি দেখি 'তৰা' নাম দি থৈ গ'ল। ছোৱালী হ'ল হয়, কিন্তু স্বভাৱটো গোটেই ল'ৰাৰ। আমৰ দিনত গছত উঠি আম পাৰা, পুখুৰীত সাঁতোৰা, হা-ডু খেলা আদিত তৰাক কোনেও নোৱাৰে। মাক-বাপেকেও একো নকয় ; একেজনী পেট-মচা ছোৱালী ৰং-ধেমালি কৰিবলৈ বিচাৰে, কৰক—'আপুনি বয়স হৈলে বুদ্ধি হৈব ভাল'। কথাত নো তৰাক ঘটায় কোনে ? কথা নহয় যেনিবা কাঁড় হে। এদিন সমনীয়া ছোৱালী এজনীয়ে তৰাক কলে—"বিয়া হৈ গলে বেটীবন কৰোঁতে জনম যাব, এতিয়াই ধেমালি কৰিল।" তৰাই টপৰাই মাত দিলে,—"তোকেই বেটী কৰি লৈ যাম।" ভাটিয়নী পানীৰ সোঁতত কোবেৰে নাও যোৱাৰ দৰে সময়ৰ সোঁতত বয়স গৈ গৈ ১৪ বছৰ হ'ল ; কিন্তু ল'ৰালি স্বভাৱটো হলে সমূলি নুগুচিল। গাৱঁৰ মানুহৰ আগত তৰাৰ লাজ-সঙ্কোচ নাই। কাৰণ সকৰে পৰা সিহঁতৰ আগতে তাই ডাঙৰ-দীঘল হৈছে। চিনা-জনা ঠাই আৰু মানুহৰ মাজত তৰাই মুকলিমূৰীয়া হৈ ফুৰে—যেন সৰিয়হ-তলিৰ ৰচকী পখিলাজনীহে ! ঘৰৰ কাম-বন, বোৱা-কটাতো তৰা থুপৰী নহয় ; বছৰেকৰ বিহুত তৰাৰ হাতৰ গামোছা, খনিয়া, ককায়েক, পিতাকে এডোখৰ পায়। পঢ়াশুনাৰ পিনে তৰাক চাওঁতা নাই ; তৰাৰ পঢ়িবৰ মন নহলে কিতাপ-ফলি ধূলি-মাটিত বাগৰি থাকে। মাজে মাজে বন্ধত ঘৰলৈ আহিলে দুৰ্গাৰামে চলাই-ভুলাই ভনীয়েকক পঢ়ুৱায়। নহলে তৰা আইটিৰ ওপৰত মাষ্টৰি কৰে কাৰ সাধ্য ?

* * * *

অভিনয়ৰ এক অঙ্কৰ পাছত দৃশ্য সলনি কৰাৰ দৰে আমিও ভোগৰামৰ গাৱঁলীয়া গৃহস্থালিৰ পৰা নি তোমাক কলিকতাৰ এখন মেছত থওঁগৈ আহা। সিদিনা দেওবাৰ। 'মেছ'ৰ এটা কোঠালিত ভোগৰামৰ 'বৰ-বোপা' দুৰ্গাৰাম আৰু এটি ডেকা মুখামুখিকৈ বহি আছে। ডেকাটি দুৰ্গাৰামৰ বয়সৰ ; দুই এবছৰত ডাঙৰো হব পাৰে। তেওঁৰ হাত-ভৰিৰ পৰা গোটেই সু-শ্ৰী গাৰ গঢ়টোলৈ চাই পঠিয়ালে বুজিব পাৰি যে তেওঁ ব্যায়ামৰ অভ্যাসেৰে শৰীৰৰ শ্ৰী-বৃদ্ধি কৰিছে। মূৰত কেঁকোৰা-চুলিৰ সেওঁতা ; গাত মোটা কাপোৰৰ চোলা, চুৰিয়া আৰু এখন এৰীয়া কাপোৰ। ডেকাৰ চকুজুৰিত 'হুকুম-জাৰি' কৰিব পৰা এটা ক্ষমতা যেন লুকাই আছে ; মুখত এটা হাঁহি বিৰিঙিব লাগিছে। ডেকাজন আন কোনোৱেই নহয়, নগাৱঁৰ সূৰ্য্যকান্ত হাজৰিকা। ধনী পিতাকৰ একমাত্ৰ পুত্ৰ যদিও সূৰ্য্যকান্তৰ উদ্ভণ্ডালি বা উচ্ছৃঙ্খল প্ৰকৃতিৰ লেশমাত্ৰও নাই। বিলাসী হওক ছাৰি সূৰ্য্য অতি আড়ম্বৰহীন। মাক নাই, সৰুতে ঢুকাল ; পিতাকৰ লালন-পালনত ডাঙৰ দীঘল হৈছে। সূৰ্য্যকান্ত 'গাওঁ-সংগঠন'ৰ বিশেষ পক্ষপাতী ; তেওঁৰ ইচ্ছা যে বি-এ টো পাছ কৰি উঠি গাওঁ-সংগঠনত যোগ দিব। সূৰ্য্যৰ এটা ৰোগ আছে ; ৰোগটো হৈছে মনে মনে কবিতা লিখা ; আৰু সেই কবিতাবিলাক জন-প্ৰাণীয়ে নজনাকৈ বাকছত তালা-চাবি মাৰি বন্ধ কৰি থোৱা। 'আৱাহন'ৰ সম্পাদক ডাঙৰীয়াই যদি কেতিয়াবা প্ৰবন্ধাদি বিচাৰি সূৰ্য্যৰ ওচৰ চাপেগৈ, তেতিয়া হয়তো সূৰ্য্যই খোলা-খুলিকৈ (?) কৈ দিব—"ডাঙৰীয়া মই প্ৰবন্ধ লিখিলে মোৰ বাহিৰে কোনেও ভাল নাপায় ; গতিকে, মোৰ দ্বাৰাই সেই কাম হৈ নুঠে দেখিছোঁ।" দেওবাৰৰ দিনা ৰাতিপুৱা দুৰ্গাৰাম আৰু সূৰ্য্যই নানা তৰপৰ কথা-বতৰা পাতি আছে, এনেতে হৰকৰাই আহি দুয়োকো দুখন খামত ভৰোৱা চিঠি দি গ'লহি। দুৰ্গাৰামে পোৱা খামটোৰ ওপৰত বেঁকাবেঁকি আখৰৰ শিৰোনামা ; সূৰ্য্যৰ চিঠিৰ ওপৰত জনা মানুহে লিখা ইংৰাজী শিৰোনামা। চিঠি পায়েই সূৰ্য্যই অৰ্থ-পূৰ্ণ হাঁহি এটা মাৰি কলে—"ভাই, তোমাৰ এখন আৰু মোৰ এখন। কি অদ্ভুত coincidence (মিল)।" চিঠি দুখন খুলি দুয়ো পঢ়িবলৈ ধৰিলে। দুৰ্গাৰামৰ চিঠিখন ভনীয়েকৰ পৰা আহিছে। তৰাই লিখিছে—"ককাইদেউ, মোৰ বিয়াৰ কথা লিখিছে, ভাল

কথা। কেতিয়া, কাৰ লগত ? দৰা-ডাঙৰীয়া যদি মোতকৈ বেছি পণ্ডিত হয়, মোৰ ফালে আইধা আৰু যদি তেওঁ অজগৌ হয় তেতিয়া হলে তেওঁৰ ফালে ৰক্ষা নাই। গতিকে, ইবাৰ সেইবোৰ বাৰে-ভচহু কথা নিলিখি আপোনাৰ কথাকে লিখিব। বিয়া আগেয়ে কৰাব লাগে আপুনি ; লেখিছে মোৰ কথা ; কয় নহয় বোলে বাজিব লাগে টেমি-কটাৰী, বাজিল হাঁচটি। মাইকী মানুহক মতাই অঁকৰা পাই নগুৰ-নাগতি কৰে।" ইত্যাদি ভনীয়েকৰ সৰলতাৰে ভৰা চিঠিখনি পাই দুৰ্গাৰামে হাঁহিবলৈ ধৰিলে। সূৰ্য্যৰ চিঠিখন আহিছে দেউতাকৰ পৰা। লিখিছে তেওঁ বুঢ়া হ'ল, কেতিয়া মৰে ঠিক নাই ; গতিকে সোনকালে সূৰ্য্যৰ বিয়াখন পাতিব খোজে ইত্যাদি। সূৰ্য্যয়ো চিঠিখন পাই হাঁহিবলৈ ধৰিলে আৰু চিঠিখন দুৰ্গাক চাবলৈ দিলে ; দুৰ্গাই চাই এটা হাঁহি মাৰি কলে—"বিবাহ এটা বন্ধন হয় ; কিন্তু দেখিছোঁ এই নাগপাশ বালৈকে তালৈকে মাৰি পঠিয়াব পাৰি।" তৰাই দিয়া চিঠিখন দুৰ্গাই সূৰ্য্যৰ ফালে আগ বঢ়াই দি কলে—"পিতাই মোলৈ লেখিছিল হেনো তৰাক (সূৰ্য্যক দুৰ্গাই আগেয়েই তৰাৰ মুকলিমূৰীয়া প্ৰকৃতিৰ কথা কৈছিল) বিয়া কৰাবলৈ সন্মত কৰাব লাগে ; চিঠিৰ মাজতে বিয়াৰ কথা লেখি-ছিলোঁ ; উত্তৰ দিলে কি চোৱা।" চেক্সপীয়াৰ, মিলটন সমালোচনা কৰা সূৰ্য্যই চিঠিখন পঢ়ি মনৰ ভিতৰত এখনি প্ৰতিমা থাপনা কৰিলে। চিঠিখনৰ আখৰে আখৰে নিৰ্ভীকতা আৰু সৰলতা যেন ফুটি উঠিছে। সূৰ্য্যৰ বোধকৰোঁ মনৰ কথা লুকাবলৈকে আচল কথা ঘূৰাই হাঁহি কলে—"একে সময়তে তোমাৰে মোৰে দুখন চিঠি, দুয়ো-খনৰেই বিষয় বিয়া ; আকৌ দুয়োখনৰেই সমিধান—'ওহোঁ'। কি অদ্ভুত হে ?" কথাৰ পাক ঘূৰি গৈ গৈ নানা বিষয়ত পৰিল। শেষত ওলাল বন্ধৰ কথা ; দহদিন মান পিছতেই এটা দীঘলীয়া বন্ধ হব। দুৰ্গাৰামৰ নিমন্ত্ৰণত সূৰ্য্যই বন্ধটো দুৰ্গাৰামৰ গাৱঁৰ অৱস্থা চাই কটাবলৈ ঠিক কৰিলে। ভাবিলে—"কলিকতাৰ নগৰীয়া জীৱনে আমুৱাত গাৱঁলৈ গলে বৰ ভাল লাগিব ; আৰু বিশেষকৈ ঘৰলৈ গলে দেউতাৰ পৰা বিয়াৰ 'তাগিদা' পাই থাকিব লাগিব ; গতিকে আঁতৰাই ভাল।" এনেকৈ জল্পনা-কল্পনা কৰি থাকোঁতেই দুয়োৰে চিন্তা-ভাৱনাত বাধা দি 'কৃষ্ণ-বৰ্ণকায়' এটা বঙালী চাকৰ আহি মাত দিলে—"বাবু, বাৰটা বেজে গেল। চান্ কৰবেন চলুন।"

* * *

পিতাকলৈ দুৰ্গাৰামৰ চিঠি আহিছে হেনো পৰহিলৈ ঘৰ পাবহি। মাক-বাপেকৰ কথাই নাই, ভনীয়েক তৰাৰ উলহ-মালহ চায় কোনে ? দেও দি নাচি ফুৰিছে—দুৰ্গাই বোলে ইবাৰ লাঠি-শিক্ষাৰ কিতাপ আনি তৰাক লাঠি-খেল শিকাব। তৰাই মাকক কলে—"আই, চাবি ইবাৰ কেনে লাঠি ঘূৰাওঁ ?" মাকে খঙত জ্বলি পকি উঠি কলে—"কি নিলাজী অ' এইজনী ? লোকৰ ছোৱালীয়ে শহুৰেকৰ ঘৰ পালেগৈ ; এওঁৰ বিয়াৰ নাম গোন্ধেই নাই। আকৌ বোলে কিবা 'লাঠি' শিকে।" তৰাই মনৰ লাজ মনতে ৰাখি মাকৰ মুখতে কৈ পেলালে—"বিয়ালৈ অহা মানুহক লাঠি ঘূৰাই খেদাই দিম, ৰ।" মাকে উপায় নাপাই হাঁহি মনে মনে থাকিল। তৰায়ো বগৰি গছৰ বগৰি কেইটা পকিছে চাবলৈ বাৰীৰ ফালে ঢাপলি মেলিলে।

চকুৰ পচাৰতে দিনটো যায়। ৰাতিপুৱা বেলিটো উঠিল ; সন্ধিয়া আকৌ মাৰ গ'ল ; ৰাতি হ'ল। পিছদিনা ৰাতিপুৱা পুনৰ এটা নতুন দিন আহিল। আজি দুৰ্গাৰাম অহা কথা। ভাটি বেলা মানলৈ আহি পাব বুলি পিতাকলৈ লিখিছে। মাকে ঘৰৰ গৰুৰ গাখীৰ পগাই থৈছে ; পুখুৰীত জাল মৰোৱাই মাছ আনি থৈছে। তৰাই ককা-য়েকৰ কোঠালি মচি-সাৰি চকুত লগা কৰিছে। মেজখনত বগলি পাখী যেন কাপোৰ পাৰি থৈছে। ঘৰৰ মৰমৰ বৰ-ল'ৰা অহাৰ বাবে যিখিনি যা যোগাৰ কৰিব পাৰি, এটাইখিনি আগেয়েই যুগুত কৰি থোৱা হৈছে। দুপৰীয়া পিৰালিত বহি তৰা আইটিয়ে চুলি আঁচুৰিছে। মনত এটাৰ পাছত এটা ভাব আহিব লাগিছে, যাব লাগিছে ; যেনিবা গুৰি-পকৱাৰ লালিহে। কথা গুণি গুণি তিনিখন মান তামোল খোৱাৰ পৰত কল-ডিলীয়া খোপা এটা বান্ধি তৰাৰ চকু পৰিল দাপোনখনৰ ওপৰত। মাকৰ মুখত শুনা সাধুকথাৰ 'দিপ্‌লিপ' ৰাজকুৱঁৰীলৈ মনত পৰিল।

দাপোনখনত পৰা মুখখনিলৈ চাই চাই তৰাৰ গাল-মুখ ৰঙা পৰি উঠিল ; কি জানো ভাবি লাজুকীয়া হাঁহি এটা মাৰি দুই হাতেৰে মুখখন ঢাকি ধৰিলে ; আমলখি গছ জোপাত পৰি মৌ-পিয়া চৰাইজনীয়ে সহাঁৰি দিলে—"পিওঁ পিওঁ।" তৰাই মুৰ আচোঁৰা যতনবিলাক সামৰি গিৰিপ্ কৰে উঠি চৰাইজনীক মুখ সিঞাৰি ভাবি দিলে—"যা যা।"

বেলি ডুবোঁ ডুবোঁ হ'ল ; গৰু গাই ঘৰ চাপিলহি। তৰাই বাহিৰত চোতালত থিয় দি বাটলৈ চাই আছে। এনেতে ওচৰত গৰু-গাৰীৰ চকাৰ কেৰ্‌কেৰ্ শব্দ শুনি ককায়েকক আগ বঢ়াবলৈ লৰ মাৰি গ'ল। দীঘলীয়া তিনি মাহৰ মূৰত ককায়েকক দেখি তৰাৰ ৰং চায় কোনে? ভৰিত পৰি টুপ্‌কৈ এটা সেৱা কৰি দুৰ্গাক সুধিলে—"ককাইটি মোক যে লাঠি নে লাখুটি ঘূৰাবলৈ শিকাওঁ বুলিছিলা, নাপাহৰিবা হলে দেই। পিছে কিতাপ আনি-ছানে নাই?" "তোলৈ কলিকতাৰ পৰা এজন মাষ্টৰ আনিছোঁ, বুজিলি" বুলি দুৰ্গাই এটা হাঁহি মাৰিলে। চকুজুৰি ঘূৰাই "কোনজন নো মাষ্টৰ বাবু" বুলি পাছলৈ চাই পঠিয়াই তৰাৰ চকু পৰিল সূৰ্য্যৰ ওপৰত সূৰ্য্যই ইমান পৰে এই সৰলচিতীয়া গাভৰুৰ লয়লাস গতি চকু জুৰাই চাই আছিল ; তেওঁৰ বুজিবলৈ বাকী নাথাকিল যে এৱেঁই তৰা আইদেউ। "মাষ্টৰ বাবু" এইটো ঠাট্টা কৰি দিয়া উপাধি পাই সূৰ্য্যৰ হাঁহি উঠিল ; এনেতে তৰাৰ চকুজুৰি পৰিল সূৰ্য্যৰ হাঁহি থকা মুখৰ ওপৰত। সূৰ্য্যই কলে—"এৰা, ময়েই মাষ্টৰ বাবু হম।" তৰাৰ সঁচাকৈয়ে লাজ লাগিল ; ছি! ছি! অচিনাকি মানুহৰ আগত এনেকৈ কথা কোৱা ভাল হ'লনে? তৰাই ককায়েকৰ কাণে কাণে 'বৌটিক কওঁগৈ' বুলি বিহাৰ আঁচল উৰাই ঘৰৰ ভিতৰলৈ লৰ মাৰিলে। গৰু-গাৰী পদূলিৰ মুখত ৰ'লহি। গাৰীৰ পৰা মাল-বস্তু নমাই সূৰ্য্যক লগত লৈ দুৰ্গা ঘৰত সোমালহি। দুৰ্গাই পিতাকৰ আগত সূৰ্য্যৰ চিনাকি দিলে। সূৰ্য্যয়ো ভক্তিভৰে ভোগৰামৰ ভৰিত পৰি সেৱা কৰিলে। ভোগৰামে 'মূৰৰ চুলিৰ সমান আয়ু হওক, মোৰ বোপাই' বুলি আশীৰ্ব্বাদ কৰিলে। পুতেকৰ পৰা আঁতি-গুৰি পাই মাকে সূৰ্য্যক চাবলৈ ওলাই আহিল। সূৰ্য্যই সেৱা কৰিলে। মাকে ল'ৰাটিৰ সজ স্বভাৱ দেখি বৰ ৰং পাই কলে—"বৰ বোপা আমাৰ মনত যেনে, তুমিও তেনে বোপাই! কোনো লাজ-সঙ্কোচ নকৰিবা। নিজৰ ঘৰ বুলি থাকা।" হাত মুখ ধুই মাজ-ঘৰৰ মজিয়াত দুই বন্ধুৱে জলপান খাবলৈ বহিল ; মাকে আগত বহি দুইৰো লগত কথা-বতৰা পাতিবলৈ ধৰিলে। সূৰ্য্যই নানা কথা কৈ দুৰ্গাৰ মাকৰ মনত বৰ মৰম লগালে। তৰাৰ কি হ'ল কব নোৱাৰি ; লৰি-ঢাপৰি ফুৰা দূৰে থ'ক সূৰ্য্য, দুৰ্গা একেলগে বহি থাকিলে আগত ভুমুকিও নমৰা হ'ল। ৰাং-ঢালী তৰাক কোনোবাই যেন যাদু কৰি গম্ভীৰ আৰু লাজুকী কৰি পেলালে। গধূলি সূৰ্য্যৰ চকু জোৰে তৰাক ইমানকৈ বিচাৰিলে কিন্তু তৰা নোলাল ; তেওঁৰ মনত তৰাৰ হাঁহি মুখখনি ভাহি ফুৰিবলৈ ধৰিলে। ৰাতি ভাত খাবৰ পৰত তৰাক মাকে ডবিয়ায়ো সূৰ্য্যৰ আগলৈ উলিয়াব নোৱাৰিলে। লাঠি-খেল শিকিব খোজা তৰা গাভৰু একে নিমিষতে মাধৈ-মালতী জুপি যেন হ'ল কিয়, কোনে জানে?

সাঁতুৰি, গাওঁখনৰ ইমূৰৰ পৰা সিমূৰলৈ ফুৰি, মাছ ধৰি সূৰ্য্যই বন্ধৰ ভালেমান দিন ভোগৰামৰ ঘৰতে কটালে। দিনক দিনে সূৰ্য্যৰ আচৰণে ভোগৰাম আৰু ঘৈণীয়েকক নিজৰ আইবোপাইতকৈও বেছি আপোন কৰি পেলালে। মাউৰা সূৰ্য্যই মাতৃ-স্নেহৰ নিজৰাটি পাই স্বৰ্গ পোৱা যেন পালে। দুৰ্গাহঁতৰ গাওঁখনৰ শ্ৰীবৃদ্ধি আৰু গাৱঁলীয়া ল'ৰা, বুঢ়া, ডেকা, গাভৰু, বুঢ়ীৰ মাজত আপোন ভাব দেখি সূৰ্য্যই মনে মনে ভাবিলে—এয়ে মোৰ দেশ আৰু এই বিলাকেই আচল মানুহ। গাওঁত শিকিব লগীয়া ভালেমান কথা সূৰ্য্যই টুকি ললে। দুৰ্গাই সূৰ্য্যক গাওঁৰ মানুহবিলা-কৰ মাজত স্বাস্থ্য আৰু ৰোগৰ প্ৰতিকাৰৰ বিষয়ে বুজাই দিয়াত সহায় কৰিলে। আমাৰ তৰায়ো আলেঙ্গে-আলেঙ্গে সূৰ্য্যৰ কথা-বতৰা শুনি এই মৰম লগাব জনা 'যাদুকৰ' ডেকাক বৰ আপোন যেন পালে। সূৰ্য্যৰ আগত ওলাব খোজে, কিন্তু লাজ লাগে।

গধূলি জুহালৰ কাষত বহি ভোগৰামে ঘৈণীয়েকৰ লগত মনে মনে কিবা কথা পাতিছে। ভোগৰামৰ কথা শুনি

ঘৈণীয়েকে কলে—"যদিহে হয়, আমাৰে কপালে ভাল। আঁতিগুৰি বৰ ভাল। পিছে ততালিকে কথাটো উলিৱা ভাল নহয়। লাহে ধীৰেহে কৰিব লাগে"। ভোগৰামে ফুচ্‌ফুচ্‌কৈ আকৌ কিবা কোৱাত ঘৈণীয়েকে তাতে 'হয়' দি কলে—"বাপেকৰ পৰা চিঠি পাইছে যদি তেখেতক ছোৱালী চাবলৈ মাতক। ল'ৰাকো এবাৰ ছোৱালী দেখুৱাব লাগে।" ভোগৰাম সাৱধান মানুহ ; কোনোবাই শুনে বুলি আকৌ ঘৈণীয়েকৰ কাণৰ ওচৰত কিবা মনে মনে কলে। ঘৈণীয়েকে কলে—"আজি বাৰু কম। তাই দেখোন আজি কালি গোটেইজনী লাজুকী-বন হ'ল। নোলায়েই।" ৰাতি ভাত-পানী খাই উঠি নানা কথা পতাৰ পিছত সূৰ্য্যই কলে—"তৰা আইদেউ মোৰ আগত দেখোন এদিনো নোলাল।" (এই কথাটো সূৰ্য্যই কবলৈ পাঙি থৈছিল।) দুৰ্গাই ভাবিলে যে সূৰ্য্যক এনেকুৱা কৈ বৰ পৰ ভাৱ দেখুৱা হৈছে। ভিতৰলৈ গৈ তৰাক মাতি কলে—"তই সূৰ্য্যৰ আগত নোলাৱ কিয়? মই যেনে, সূৰ্য্যও তেনে। এনে পৰ ভাৱ দেখুৱালে সি ভাবিব কি কচোন? ছি! জনাবুজা ছোৱালী হৈ তই এনে হব পাৱ নে? সূৰ্য্যৰ স্বভাৱ, কথা-বতৰা চাই তই বহুত শিকিবও পাৰিবি।" তৰাৰ অনুতাপ হ'ল ; একো নকৈ থিয় হৈ থাকিল। তৰাৰ লাজ জানিব পাৰি দুৰ্গাই কলে, "যাচোন বাৰু, এটা তামোল কাটি আনগৈ।" দুৰ্গা আহি আকৌ সূৰ্য্যৰ লগত কথা-বতৰা পাতিবলৈ ধৰিলে ; বুদ্ধিমান সূৰ্য্যৰ বুজিবলৈ বাকী নাথাকিল যে তৰা অলপতে আহিব। এনেতে তৰাই দুৱাৰ চুকৰ পৰা 'ককাইটি' বুলি মাত লগালে। লৈ আহ' বুলি দুৰ্গাৰ হুকুম পৰিল। তৰাই লাজে-ভয়ে হাতত তামোলৰ বটাটো লৈ মেজত থলেহি। সূৰ্য্যই চিলনীয়ে থাপ মৰাৰ দৰে আগেয়েই বটাৰ পৰা এখন তামোল লৈ মুখত সুমুৱাই কথাৰ আগটো উলিয়াই দিলে—"কালি তৰা আইদেউৰ এখন 'ফটো' লব লাগিব। তৰা আইদেউৰ কিবা আপত্তি আছেনে?" সূৰ্য্য বুধিয়ক ; তৰাৰ সঙ্কোচভাব গুচাবলৈ বাকচ মেলি ফটোৰ 'কেমেৰা'টো খুলি-মেলি দেখুৱালে। তৰাই লাজ পাহৰি সূৰ্য্যৰ হাতৰ পৰা কাঢ়ি লৈ 'কেমেৰা'টো চাবলৈ ধৰিলে। সূৰ্য্যই বিজয়ৰ এটা হাঁহি মাৰি দুৰ্গাৰ চকুলৈ চালে। তৰাক কথাৰে সূৰ্য্যই 'হিপ্‌নটাইজ' কৰাৰ দৰে কৰি কলিকতাৰ আৰু দেশ-বিদেশৰ কথা কবলৈ ধৰিলে। ভেলেঙীৰ দৰে তৰাই শুনি শুনি ভাবিলে—ইমান সুন্দৰ, ইমান সৰল, ইমান জ্ঞানী এওঁ! কাৰো ওচৰত মূৰ নোদোঁৱায় বুলি হিয়াৰ মাজত চিৰকুমাৰীৰ ব্ৰত বৰণ কৰা তৰাৰ মূৰ আপোনা আপুনিয়েই এই 'আচৰিত' ডেকাৰ ওচৰত দোঁ খাই আহিল। মনৰ কথা নকলেও হব। তৰায়ো আগৰ লাজ এৰি আপোন জনৰ দৰে কথা পাতিবলৈ ধৰিলে ; কিন্তু আগৰ মইমতালি আৰু মুকলি-মূৰীয়া স্বভাৱ কেনিবাদি উৰি গ'ল। তৰাক মন্ত্ৰ মুগ্ধ কৰি সূৰ্য্যই সেইদিনালৈ মেলানি দিলে। ৰাতি শুবৰ সময়ত হাতত সাৰে ভৰিত সাৰে বাকছৰ পৰা কবিতা-পুথিখন উলিয়াই কেশাৰীমান লিখিলে। তাৰে দুটি চানেকি স্বৰূপে চোৱা—

"মোৰ যৌৱনৰ ফুলনিৰ পৰা তুলি বাচি আনি ৰূপহী ফুল
নিবেদিছোঁ আজি উদ্দেশে তোমাৰ হে অনুপম! হে অতুল!"

শেষত কোৱা ভাল যে দুৰ্গাৰামেও মনে মনে সূৰ্য্যক কেতিয়াবাই ভগ্নীপতিৰূপে বৰণ কৰি থৈছিল, শিক্ষিত দুৰ্গাই ধৰি বান্ধি দিয়া বিয়া ঘিণ কৰে আৰু নিজৰ বাছনি মতে কৰা বিয়াৰ (দুইপক্ষৰ মতৰ মিল হলে) বিশেষ পক্ষপাতী।

সিদিনা দুৰ্গাই এজন আলহী আগ বঢ়াবৰ কাৰণে দুমাইল আঁতৰত থকা ষ্টেশ্যনলৈ গ'ল। সূৰ্য্যই কোঠালিৰ ভিতৰত ব্যায়াম কৰিছে। ব্যায়ামৰ অন্তত দেখে তৰাই দুৱাৰ মুখত থিয় হৈ সূৰ্য্যৰ ব্যায়াম আৰু হৃষ্টপুষ্ট শৰীৰটোলৈ চাই আছে। সূৰ্য্যই ভাগৰ পলাবৰ মনেৰে চকিত বহিল, তৰাই লাহে লাহে ওচৰ চাপিল। তৰাই ভিতৰুৱা কিবা এটা কথা শুনিছে আৰু আজিৰ আলহীনো কোন তাকো জানে ; সেইবাবে চকুৱে মুখে তৰাৰ আজি লাজৰ ৰেখা দেখা গৈছে। সূৰ্য্যৰ এই কেদিনৰ ভিতৰতে তৰাৰ লগত বৰ মিল হৈছে ; তৰাই মনৰ লাজ লুকাই সূৰ্য্যৰ ওচৰ চাপিছে। দুই চাৰিটা কথা পাতি তৰাই ঘপ্‌কৈ কৈ উঠিল—"আজি আপোনাৰ দেউতা আমাৰ

ইয়াৰৈ আহিব।" সূর্য্যই জাপ মাৰি উঠি কলে—"কিয়? কোনে কলে?" তেওঁ ভাবি পালেগৈ যে দুর্গাৰামে আগ বঢ়াই আনিবলৈ যোৱা আলহী জনেই দেউতাক হবলা। সূর্য্যই থিৰ হৈ লাহে লাহে তৰাৰ হাতখনিত ধৰিলে। প্ৰথমতে তৰাই হাতখন একৰাই লৰ মাৰি পলাব খুজিছিল; কিন্তু সূর্য্যৰ চকুজুবিলৈ চাই লাহে লাহে সু-শ্ৰী বিশাল বুকুৰ মাজত মুৰটি গুজি দিলে। হাতখনিত ধৰি সূর্য্যই অদ্ভুত ভাষাত কবলৈ ধৰিলে—"তৰা, মোৰ হব? তুমি হবা.....?" তৰাই নামাতি থাকিব নোৱাৰি চলচলীয়া চকুজুবিৰে সূর্য্যৰ মুখৰ ফালে চাই কলে—"ওঁ, হম।" এনেতে নিগনি চিকাৰী মেকুৰী জনীয়ে শান্তি ভঙ্গ কৰি বিনাবলৈ লাগিল—"মেও মেও, মিউ মিউ।" তৰাই জগৰ লগোৱা মানুহৰ দৰে ইফালে সিফালে চাই ভিতৰলৈ বেগাবেগিকৈ খোজ ললে। এই দৃশ্যৰ এই খিনিতে পট পৰিল।

সন্ধিয়া দুর্গাৰামে লগত সূর্য্যৰ দেউতাক ৰতিকান্ত হাজৰিকাক লৈ ঘৰ পালেহি। ৰাটত কলে যে সূর্য্য আক তেওঁ দুয়ো অভিন্নহৃদয় আৰু সূর্য্য তেওঁবিলাকৰ ঘৰতে আছে। বিয়াৰ কথা ঘুণাক্ষৰেও সূর্য্যৰ আগত উলিওৱা হোৱা নাই। ৰতিকান্তই শুনি ভাল পালে। কথাতে কয় বোলে—"যাৰ কন্যা তাৰ বিবাহ'। আমিও কওঁ—"সমানয়ন্ তুল্যগুণং বধুবৰং চিৰন্তু বাচং ন গতঃ প্ৰজাপতিঃ।"

ৰতিকান্তই যি সময়ত আহি দুর্গাইতৰ ঘৰ পালে তেতিয়া সূর্য্য ওলাই গৈছিল। সূর্য্যই দুবি-চাকি আহি দেখে ভোগৰাম, দেউতাক ৰতিকান্ত আৰু দুর্গা বহি কথা পাতি আছে। সূর্য্যই দেউতাকক সেৱা কৰি ওচৰতে বহিল। দেউতাকে সূর্য্যৰ ফালে এটা গভীৰ হাঁহি মাৰি ভোগৰামক কলে—"ডাঙৰীয়া, এইখন বিয়া হবই লাগিব। প্ৰজাপতিয়ে বৰমইনাৰ (সূর্য্যৰ এয়ে ঘৰত মতা নাম) কন্যা আপুনি মিলাই দিছে।" ভোগৰামেও ভাব-প্ৰৱণতাৰ আশ্ৰয় লৈ মাত দিলে- "ডাঙৰীয়া, মোৰ ছোৱালীয়ে ভাগ্যৰ বলহে এনে হেন সোণৰ পুতলি যেন সজ ল'বা পাইছে।" সূর্য্যই বিবুদ্ধি হৈ তলমুৱ কৰি মুৰ খজুৱাবলৈ লাগিল। এনেতে ভিতৰৰ পৰা মাকৰ আদেশত তৰাই আহি ৰতিকান্তৰ ভৰিত পৰি সেৱা কৰিলে; সূর্য্যয়ো একেলগে দেউতাকৰ ভৰিত দীঘল দি পৰিল। তাৰ পিছত দুয়ো ভোগৰামক সেৱা কৰিলে। দুই কুঁৱাই মাতিব নোৱাৰিলে; দুয়োবো চকুৱে দুগাৰি আনন্দ চকুলো ওলাল। সূর্য্যই দুর্গাক আনন্দেৱে আঁকোৱালি ধৰিলে। ৰাতি অকলশৰীয়াকৈ পাই তৰাক সূর্য্যই কলে—"অঁকৰা পাই তোমাক নগুৱ নাগতি কৰিলোঁ, নহয়নে?" তৰাৰ মুখত মাত নাই, চকুই মুখে আনন্দৰ চিন ফুটি ওলাল।

বিয়াৰ দিনা দৰা-কইনাক মাজত লৈ আয়তী সকলে জোৱানাম গালে—

"নগঞা আমোলা, অ' মন্ তৰা,
আইটিক লৈয়ে গলা, অ' মন্ তৰা,
মুখত কৈ বাখিবা, অ' মন তৰা,
তৰা আইটিবে নগঞা দৰা।"

উকলি-জোঁকাৰে দৰা-কইনাৰ মনত আনন্দৰ ঢৰ আনিলে। পুৱাৰ সূর্য্যৰ কিৰণে পুৰতীয়া তৰাৰ দীপ্তি নিষ্প্ৰভ কৰি পেলায়; সূর্য্যয়ো তৰাৰ দৰে এজনী কাৰো বশ মানিব নোখোজা ছোৱালীৰ আজলী হিয়াখনি পৰাজয় কৰি পেলালে। অভিনয়খনিৰ এইখিনিতে যৱনিকা পৰিল। ইয়াক কি বুলিবা? জয় নে পৰাজয়?



অঙ্কৰ ইতিহাস

(৮ম কথা)

প্ৰাচীন কালৰ পুৰণ অঙ্কৰ আহি

—শ্ৰীযুত দণ্ডীৰাম দত্ত

প্ৰাচীন কামৰূপৰ প্ৰাচীন অঙ্কৰ কথাহে ইয়াত দেখুৱা হল। প্ৰায় ১॥ ২শ বছৰ আগৰ কথা। তেতিয়া বৰ্ত্তমান ধৰণৰ ছিটাপ সম্বন্ধে আঠকঠা, দশাঙ্ক, বিদ্যাউটি, পিয়ল পঙ্কজ আদি চলিছিল। বৰ্ত্তমান অঙ্ক কৰা পদ্ধতিৰ লগত এইবোৰৰ বিজনি দি আমি যথা সময়ত অঙ্কৰ আলোচনা কৰাৰ মন কৰিছোঁ। যদিও আমি কাইথেলী অঙ্ক নামৰ প্ৰাচীন অঙ্ক পুথি প্ৰকাশ কৰিছোঁ তথাপি তাত বহুল ব্যাখ্যা দিবৰ সুবিধা নহ'ল। আজি পুৰণ অঙ্কৰ নিয়ম ধৰণ দিয়া হ'ল। যেনে :—

(১) তেৰ তিৰাশি মুনি জান।
বেওৰ দি পুবি আঠকঠা আন॥

এতেকে ১৩৮৩৭×১১=১৫২২০৭।

অমিশ্ৰ পুৰণ (আঠকঠা)

সপ্ত খুন্ত পাখা পাখা, বাণ চন্দ্ৰ বামে লিখা।
সেই অঙ্ক বামে পাতি লইবা॥
বহি সপ্ত দিয়া তাৰ পুবিবাহা ভাগ।
একত্ৰ কৰিয়া আঠকঠা পাইবা লাগ॥
বহি সপ্ত চুগুণ কৰিয়া তাক লৈবা।
দহভাগ এহিক্ৰমে তাহাতে জানিবা॥
পুৰণ কৰিবা তাক এহি অনুক্ৰমে।
আঠ কঠা এহিকণে জানিবা স্বকণে॥
ইটো কথা এহিমানে সংহৰিয়া যাওঁ।
দশশীয়াৰ আর্য্যাকসে প্ৰবন্ধিয়া কওঁ॥

ভাঙনী :—

১	১	১	১	১	১	১	১	১
	৩							
	৫	৫						
	১							
৭	১	৪	৬	৬	৯			
৩	১	১	৪	৪	২	১		
	১	৫	২	২	০	৭		
৭	৩							

বহি আক সপ্ত ক্ৰমে চুগুণ, তিনি গুণ কৰি দহলৈকে পুৰি সেই অঙ্কেৰে এই অঙ্ক পুৰিলে ক্ৰমে ২২, ৩৩, ৪৪... সংখ্যা উত্তৰ ওলাব। যেনে :—

৭৩×২=১৪৬
৭৩×৩=১৪৯

এতেকে

১৫২২০৭×১৪৬=আঠোটা দুই
১৫২২০৭×১৪৯=আঠোটা তিনি

ইত্যাদি

কোন সংখ্যাক কিহেৰে ওপৰলৈ পুৰণ কৰাত কি ওলাল তাক ব্যাখ্যা কৰি বুজোৱা হব অল্প প্ৰয়ত্নত।

বৰ্ত্তমান চলিত নিয়ম মতে ১৫২২০৭×৭৩ কৰিলত উত্তৰ একে ওলাব।

প্ৰাচীন নিয়ম আক নতুন নিয়মৰ উপৰিও আমাৰ উদ্ভাৱনী শক্তিৰ দ্বাৰা ২।১টি নতুন নিয়ম ওলাইছে। পাঠকৰ অৱগতিৰ অৰ্থে লিখা হ'ল। এই অঙ্কবোৰ আমাৰ 'কৌতুক' পুথিৰ দ্বিতীয় বাৰৰ ছপাৰ কাৰণে যুগুত কৰা হৈছে।

ইয়াৰৈ আহিব।" সূর্য্যই জাপ মাৰি উঠি কলে—"কিয়? কোনে কলে?" তেওঁ ভাবি পালেগৈ যে দুর্গাৰামে আগ বঢ়াই আনিবলৈ যোৱা আলহী জনেই দেউতাক হবলা। সূর্য্যই থিৰ হৈ লাহে লাহে তৰাৰ হাতখনিত ধৰিলে। প্ৰথমতে তৰাই হাতখন একৰাই লৰ মাৰি পলাব খুজিছিল; কিন্তু সূর্য্যৰ চকুজুৰিলৈ চাই লাহে লাহে সু-শ্ৰী বিশাল বুকুৰ মাজত মুৰটি গুজি দিলে। হাতখনিত ধৰি সূর্য্যই অদ্ভুত ভাষাত কবলৈ ধৰিলে—"তৰা, মোৰ হব? তুমি হবা....?" তৰাই নামাতি থাকিব নোৱাৰি চলচলীয়া চকুজুৰিবে সূর্য্যৰ মুখৰ ফালে চাই কলে—"ওঁ, হম।" এনেতে নিগনি চিকাৰী মেকুৰী জনীয়ে শান্তি ভঙ্গ কৰি বিনাবলৈ লাগিল—"মেও মেও, মিউ মিউ।" তৰাই জগৰ লগোৱা মানুহৰ দৰে ইফালে সিফালে চাই ভিতৰলৈ বেগাবেগিকৈ খোজ ললে। এই দৃশ্যৰ এই খিনিতে পট পৰিল।

সন্ধিয়া দুর্গাৰামে লগত সূর্য্যৰ দেউতাক ৰতিকান্ত হাজৰিকাক লৈ ঘৰ পালেহি। বাট্ট কলে যে সূর্য্য আৰু তেওঁ দুয়ো অভিন্নহৃদয় আৰু সূর্য্য তেওঁবিলাকৰ ঘৰতে আছে। বিয়াৰ কথা ঘুণাক্ষৰেও সূর্য্যৰ আগত উলিৱা হোৱা নাই। ৰতিকান্তই শুনি ভাল পালে। কণাতে কয় বোলে—'যাৰ কল্পা তাৰ বিবাহ'। আমিও কওঁ—"সমানয়ন্ত্ৰ তুল্যগুণং বধুবৰং চিৰন্ত বাচং ন গতঃ প্ৰজাপতিঃ।"

ৰতিকান্তই যি সময়ত আহি দুর্গাইতৰ ঘৰ পালে তেতিয়া সূর্য্য ওলাই গৈছিল। সূর্য্যই দুখি-চাকি আহি দেখে ভোগৰাম, দেউতাক ৰতিকান্ত আৰু দুর্গা বহি কথা পাতি আছে। সূর্য্যই দেউতাকক সেৰা কৰি ওচৰতে বহিল। দেউতাকে সূর্য্যৰ ফালে এটা গম্ভীৰ হাঁহি মাৰি ভোগৰামক কলে—"ডাঙৰীয়া, এইখন বিয়া হবই লাগিব। প্ৰজাপতিয়ে বৰমইনাৰ (সূর্য্যৰ এয়ে ঘৰত মতা নাম) কল্পা আপুনি মিলাই দিছে।" ভোগৰামেও ভাই-প্ৰৰণতাৰ আশ্ৰয় লৈ মাত দিলে—"ডাঙৰীয়া, মোৰ ছোৱালীয়ে ভাগ্যৰ বলহে এনে হেন সোণৰ পুতলি যেন সজ ল'বা পাইছে।" সূর্য্যই বিবুদ্ধি হৈ তলমুৰ কৰি মুৰ খজুৱাবলৈ লাগিল। এনেতে ভিতৰৰ পৰা মাকৰ আদেশত তৰাই আহি ৰতিকান্তৰ ভৰিত পৰি সেৰা কৰিলে; সূর্য্যয়ো একেলগে দেউতাকৰ ভৰিত দীঘল দি পৰিল। তাৰ পিছত দুয়ো ভোগৰামক সেৰা কৰিলে। দুই কুঁৱাই মাতিব নোৱাৰিলে; দুয়োৰো চকুৰে দুগাৰি আনন্দৰ চকুলো ওলাল। সূর্য্যই দুর্গাক আনন্দেৰে আঁকোৱালি ধৰিলে। ৰাতি অকলশৰীয়াকৈ পাই তৰাক সূর্য্যই কলে—"অঁকৰা পাই তোমাক নগুৰ নাগতি কৰিলোঁ, নহয়নে?" তৰাৰ মুখত মাত নাই, চকুই মুখে আনন্দৰ চিন ফুটি ওলাল।

বিয়াৰ দিনা দৰা-কইনাক মাজত লৈ আয়তী সকলে জোৰানাম গালে—

"নগঞাঁ আমোলা, অ' মন্ তৰা,
আইটিক লৈয়ে গলা, অ' মন্ তৰা,
মুৰত কৈ বাধিবা, অ' মন তৰা,
তৰা আইটিবে নগঞাঁ দৰা।"

উকলি-জোঁকাৰে দৰা-কইনাৰ মনত আনন্দৰ ঢল আনিলে। পুৱাৰ সূর্য্যৰ কিৰণে পুৱতীয়া তৰাৰ দীপ্তি নিষ্প্ৰভ কৰি পেলায়; সূর্য্যয়ো তৰাৰ দৰে এজনী কাৰে বশ মানিব নোখোজা ছোৱালীৰ আজলী হিয়াখনি পৰাজয় কৰি পেলালে। অভিনয়খনিৰ এইখিনিতে যবনিকা পৰিল। ইয়াক কি বুলিবা? জয় নে পৰাজয়?



অঙ্কৰ ইতিহাস

(৮ম কথা)

প্ৰাচীন কালৰ পুৰণ অঙ্কৰ আহি

—শ্ৰীযুত দণ্ডীৰাম দত্ত

প্ৰাচীন কামৰূপৰ প্ৰাচীন অঙ্কৰ কথাহে ইয়াত দেখুৱা হ'ল। প্ৰায় ১॥ ২শ বছৰ আগৰ কথা। তেতিয়া বৰ্ত্তমান অসমত হিচাপ সম্বন্ধে আঠকঠা, দশাঙ্ক, বিদ্যাউটি, পিয়ল পঙ্ক আদি চলিছিল। বৰ্ত্তমান অঙ্ক কৰা পদ্ধতিৰ লগত এইবোৰৰ বিষনি দি আমি যথা সময়ত অঙ্কৰ আলোচনা কৰাৰ মন কৰিছোঁ। যদিও আমি কাইথেলী অঙ্ক নামৰ প্ৰাচীন অঙ্ক পুথি প্ৰকাশ কৰিছোঁ তথাপি তাত বহুল বাধা দিবৰ সুবিধা নহ'ল। আজি পুৰণ অঙ্কৰ নিয়ম বৰণ দিয়া হ'ল। যেনে :—

(১) তেৰ তিৰাশি মুনি জান।
বেওৰ দি পুৰি আঠকঠা আন॥

এতেকে ১৩৮৩৭×১১=১৫২২০৭।

অমিশ্ৰ পুৰণ (আঠকঠা)

সপ্ত শূন্য পাখা পাখা, বাণ চন্দ্ৰ বামে লিখা।
সেই অঙ্ক বামে পাতি লইবা॥
বহি সপ্ত দিয়া তাৰ পুৰিবাহা ভাগ।
একত্ৰ কৰিয়া আঠকঠা পাইবা লাগ॥
বহি সপ্ত দুগুণ কৰিয়া তাক লৈবা।
দহভাগ এহিক্ৰমে তাহাতে জানিবা॥
পুৰণ কৰিবা তাক এহি অনুকপে।
আঠ কঠা এহিকপে জানিবা স্বৰূপে॥
ইটো কথা এহিমানে সংহৰিয়া যাওঁ।
দশংশীয়াৰ আৰ্য্যাকসে প্ৰবন্ধিয়া কওঁ॥

ভাঁজনী :—

১	১	১	১	১	১	১	১	১
	৩							
	৫	৫						
	১							
৭	১	৪	৬	৩	১			
৩	১	১	৪	৪	২	১		
	১	৫	২	২	০	৭		
৭	৩							

বহি আৰু সপ্ত ক্ৰমে দুগুণ, তিনি গুণ কৰি দহলৈকে পুৰি সেই অঙ্কেৰে এই অঙ্ক পুৰিলে ক্ৰমে ২২, ৩৩, ৪৪... সংখ্যা উত্তৰ ওলাব। যেনে :—

৭৩×২=১৪৬
৭৩×৩=১৪৯

এতেকে

১৫২২০৭×১৪৬=আঠোটা দুই
১৫২২০৭×১৪৯=আঠোটা তিনি

ইত্যাদি

কোন সংখ্যাক কিহেৰে ওপৰলৈ পুৰণ কৰাত কি ওলাল তাক বাধ্যা কৰি বুজোৱা হব অল্প প্ৰয়োজন।

বৰ্ত্তমান চলিত নিয়ম মতে ১৫২২০৭×৭৩ কৰিলত উত্তৰ একে ওলাব।

প্ৰাচীন নিয়ম আৰু নতুন নিয়মৰ উপৰিও আমাৰ উদ্ভাৱনী শক্তিৰ দ্বাৰা ২।১টি নতুন নিয়ম ওলাইছে। পাঠকৰ অগ্ৰগতিৰ অৰ্থে লিখা হ'ল। এই অঙ্কবোৰ আমাৰ 'কৌতুক' পুথিৰ দ্বিতীয় বাৰৰ ছপাৰ কাৰণে যুগুত কৰা হৈছে।

অঙ্ক :—

(ক) ১ম নিয়ম—

৬ ৩ ২ ৫
৭ ২ ৯
৫ ৬ ৯ ২ ৫
১ ২ ৬ ৫ ০
৪ ৪ ২ ৭ ৫
৪ ৬ ১ ০ ৯ ২ ৫

(খ) ২য় নিয়ম :—

	৬	৩	২	৫
৭ব পূরন ফল	৪ ২	২ ১	১ ৪	৩ ৫
২ব পূরন ফল	১ ২	— ৬	— ৪	১ ৩
১ব পূরন ফল	৬ ৪	২ ৭	১ ৮	৪ ৫
	৪ ৬	১ ০	৯ ২	৫

(গ) ৩য় নিয়ম :—

৬ ৩ ২ ৫
৯
৫ ৬ ৯ ২ ৫...৯ব × ফল।
৪ ৫ ৫ ৪ ০ ০...৯ব × ফলক ৮বে × করাত ৭২ব × ফল।
৪ ৬ ১ ০ ৯ ২ ৫

(ঘ) ৪র্থ নিয়ম :—

৪ ৬ ১ ০ ৯ ২ ৫
৩ ৬ ৪ ৫
১ ৪ ৫ ৮
২ ১ ৮ ৭
৪ ৩ ৭ ৪
৬ ৩ ২ ৫
৭ ২ ৯

(ঙ) ৫ম নিয়ম :—

৬ ৩ ২ ৫
৭ ২ ৯
৪ ৪ ২ ৭ ৫ ০ ০...৭০০ব × ফল
১ ২ ৬ ৫ ০ ০... ২০ব × ফল
৫ ৬ ৯ ২ ৫... ৯ব × ফল
৪ ৬ ১ ০ ৯ ২ ৫

মিলন

—কবিতা

—শ্রীযুত চন্দ্রধর বরুরা সাহিত্যরত্ন

ফুলনিব ফুলা ফুলে হালি জালি নাচিছে
গুঞ্জিছে ওপবে ভ্রমব
সক সক অণু অণু ঝবি ঝবি ফুল বেণু
বঞ্জিছে বননি তলব।
শ্যামলা ধবণীব শ্যামলা বননিত
খঞ্জবী অতি মন বঙ্গে
কম্পিত চবণেবে তালে তালে জলদেবে
নৃত্যিছে বিবিধ বিভঙ্গে।
কোকিলে ঘনে ঘনে মধুময় পঞ্চমে
গায় সুললিত কুহু গীতি
মধুমতী মলয়াই ফুলমধু মিহলাই
মাবি যায় নাহেবে ছাটি।

বাংঢালী বঙ্গা বেলি ফুলনিক আগবাঢ়ি
সন্তাষে সুবিনীত ভাবে
লাজুকী ফুলনিয়ে ল-নিবে হাঁকিটিবে
আদবে সুবলা স্বভাবে।
বিদ্যুতে মেঘে যেনে ছোনে কুমুদিনী বনে
অম্ববে সাগবে দি শোভা
কুমলীয়া বেলিটিবে প্রভাতব ফুলনিবে
মিলনো তেনে মনোলোভা।
সুভঙ্গ ভঙ্গিমা ধবি মৃদু মধু হাঁহি মাবি
ভূমুকি মাবি ঘনে ঘনে
সাদবী বনদেবী মোহন ছবি দেখি
হেবিছে হবষিত মনে।

বৈজ্ঞানিক জগত

স্যিঙ্গাব মেশ্যিনব ১৮৫৪ খৃষ্টাব্দব মডেল—

এই মেশ্যিনটো স্যিঙ্গাবব প্রথম অবস্থাব। তেতিয়া ই দেখোতে আজিকালিব 'মডেল'ব দবে পবিপাটি নাছিল। যন্ত্রবকৈ ডাঙব শব্দও হৈছিল। ১৮৫৪ খৃষ্টাব্দত ইয়াক পেটেণ্ট কবা হৈছিল। উনৈশ শতাব্দিব মাজভাগব পবা এই মেশ্যিনব ক্রমবিকাশ হৈ আহি আজিব অবস্থা পাইছে। আজিকালিব স্যিঙ্গাব মেশ্যিন সকলোবে দেখিছে বুলি ভবা স্বাভাবিক। সেই নিমিত্তে ইয়াত আজিকালিব ছবি দিয়া নহ'ল।

এই মেশ্যিনব আবিষ্কাব কবোঁতা আইজাক মেবিট স্যিঙ্গাব। এণ্ড পোন প্রথমতে ১৮৫১ খৃষ্টাব্দত lock-stitch machine হে উলিয়াইছিল।



স্যিঙ্গাব মেশ্যিনব আদি 'মডেল'

লর্ড কেলভিনব ১৮৫৮ খৃষ্টাব্দব আবিষ্কাব—

আটলাণ্টিক মহাসাগবব প্রথম টেলিগ্রাফব এই "নিবব গেলভেনোমিটাব"টো লর্ড কেলভিনে আবিষ্কাব কবিছিল। ইয়াবে কেব্‌লব এমুবত ইলেকট্রিকব সক সৌত বিষাক পবীক্ষা কবা হৈছিল।



মিবব গেলভেনোমিটাব

১৮৬৩ খৃষ্টাব্দব টেলিফোন—

'ফ্রেংকফার্ট'ব ফিলিপ বেজে ১৮৬০ পবা ১৮৬৩ খৃষ্টাব্দব ভিতবত টেলিফোনব প্রথম যন্ত্র তৈয়াব কবিছিল। এয়ে সেই যন্ত্রব ছবি। বাওঁ ফালব থন 'ট্রেন্সমিটাব'ব (transmitter) আৰু সোঁ ফালব থন 'বিছিভাব'ব (receiver)



টেলিফোনব প্রথম ট্রেন্সমিটাব আৰু বিছিভাব

ছবি। ইয়াৰ পৰাই আজিকালিৰ 'ট্ৰেন্সমিটাৰ' আৰু 'ৰিছিভাৰ'ৰ ক্ৰমোন্নতি কিমানখিনি সাধিত হৈছে তাক এই সম্বন্ধে সামান্য অভিজ্ঞতা থকা জনেও বুজিব পাৰিব।

বস্তুবোহানি অনা-নিয়া কৰিবৰ উপযোগী ১ম আকাশী যান—



ব্যৱসায়ৰ উপযোগী প্ৰথম আকাশী যান

ফৰাছী ইঞ্জিনীয়াৰ হেনৰি গিফাৰ্ডে ১৮৫২ খৃষ্টাব্দত এই যান সাজিছিল আৰু তাৰে উৰিছিল। ই দীঘলে ১৪৪ ফিট আৰু পৰিধিত ৪০ ফিট আছিল।

হৰণ পূৰণ কৰা যন্ত্ৰ—

এই যন্ত্ৰেৰে ডাঙৰ ডাঙৰ হৰণ পূৰণ কৰিব পাৰি। এই যন্ত্ৰ ১৮৬০ খৃষ্টাব্দতে ব্যৱসায়ৰ নিমিত্তে বিক্ৰী কৰা হৈছিল।



হৰণ-পূৰণ কৰা যন্ত্ৰ

পানীৰ তলেদি দুমাইল দীঘল সুৰঙ্গ—



ফোৰ্ড কোম্পানীৰ দুমাইল দীঘল সুৰঙ্গ তৈয়াৰ হব লাগিছে।

আমেৰিকাৰ ফোৰ্ড কোম্পানীয়ে কামৰ সুবিধাৰ নিমিত্তে পানীৰ তলেদি দুমাইল দীঘল সুৰঙ্গ এটা সাজিছে।



সুৰঙ্গ প্ৰায় সাজু হৈ অহাৰ সময়ত

গেচৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ জাৰ্ম্মানীৰ ব্যৱস্থা—





যুদ্ধৰ সময়ত যেতিয়া গেচেৰে আক্ৰমণ চলিব, তেতিয়া পিন্ধিবলৈ মুখা তৈয়াৰ হব লাগিছে। মুখাৰ ভিতৰত বতাহ সুমোৱা বন্ধ কৰিবলৈ আঠা লগাবলৈ ধৰিছে।





ওপৰৰ ছবিত কিছুমান ল'ৰা-ছোৱালীক মুখা পিন্ধাব লাগিছে। বাওঁ পিনৰ ঘূৰণীয়া ছবিত স্কুলৰ ল'ৰা-ছোৱালী কিছুমানক গেচ-বোমা (Gas bombs) দেখুৱা হৈছে। এই গেচ-বোমাবিলাক মাটিত অলপ লাগিলেই ফাটি যায়।

বাওঁ ফালৰ একেবাৰে তলৰ ছবিখনত গেচৰ আক্ৰমণত আহত মানুহক হাচপাতললৈ নিবলৈ শিকনি দিয়া হব লাগিছে—এনেকৈ জাৰ্ম্মাণীয়ে ভবিষ্যত বিপদৰ পৰা দেশৰ জনসাধাৰণক ৰক্ষা কৰিবলৈ এতিয়াৰ পৰা এনে দিহা কৰি চলিব লাগিছে।

পিয়ানোৰ লগতে টাইপ ৰাইটাৰ—

টাইপ ৰাইটাৰ আৰু পিয়ানো একেলগে থকা এই মেছিনটো ১৮৫৫ পৰা ১৮৬০ খৃষ্টাব্দৰ ভিতৰত তৈয়াৰ হৈছিল। আৰু ই তেতিয়াই কাৰ্য্যকৰী হৈ উঠিছিল। ভাৰ চি, ছোৱেটষ্টোনে ইয়াক তৈয়াৰ কৰিছিল।



পিয়ানোৰ লগতে টাইপ ৰাইটাৰ

পৃথিবীৰ ভিতৰত আটাইতকৈ নিৰাপদজনক চন্দুক—



আটাইতকৈ নিৰাপদজনক চন্দুক

এই চন্দুকৰ বিশেষত্ব ছবিত দেখুৱা ছৱাৰ খনত। ইয়াক ইটালীত ৩৮ ৰকমৰ ধাতুৰে তৈয়াৰ কৰা আৰু ইয়াৰ ওপৰত কোনো পদাৰ্থৰ কোনো ৰকম ৰাসায়নিক ক্ৰিয়া হব নোৱাৰে। ইয়াৰ ওজন প্ৰায় ৫৯ টন বা প্ৰায় ১৬৫২/ মোণ। এইখনেই পৃথিবীৰ ভিতৰত আটাইতকৈ ডাঙৰ ছৱাৰ। ই জেনোৱাৰ গেৰিবল্ডি নগৰৰ মাজেদি যোৱা বেঙ্কবোৰ থকা বাটত (Street of banks) অৱস্থিত। এই ছৱাৰ জপাই থলে চোৰ ডকাইতৰ পৰা কোনো ৰকমৰ ভয় আশঙ্কাই থাকিব নোৱাৰে।

পৃথিবীৰ ভিতৰত আটাতইকৈ ২য় ডাঙৰ উৰা জাহাজ—



আটাইতকৈ ২য় ডাঙৰ উৰা জাহাজ

ওহিওৰ আক্ৰণ নগৰীত জাহাজ খোৱা ঠাইত এতিয়াও ই তৈয়াৰ হৈ থকা অৱস্থাতে আছে। অহা বছৰত উৰিব উপযুক্ত হব বুলি আশা কৰা হৈছে।

বিবাহৰ ক্ৰমবিকাশ

—পণ্ডিত শ্ৰীযুত প্ৰতাপ চন্দ্ৰ গোস্বামী

সকলো জীৱৰে বিশেষ বয়সত আৰু বিশেষ সময়ত স্ত্ৰী-পুৰুষৰ মিলন ইচ্ছা স্বাভাৱিকতে ওপজে। স্ত্ৰী-পুৰুষৰ এই স্বাভাৱিক মিলন ইচ্ছাৰ পৰাই বিশ্বৰ অনাদি অনন্ত জীৱ প্ৰবাহ চলি আহিছে। স্ত্ৰী-পুৰুষৰ স্বভাৱজাত মিলন ইচ্ছা নাথাকিলে যি প্ৰজনন ক্ৰিয়াৰ ওপৰত বিশ্ব-ব্ৰহ্মাণ্ড প্ৰতিষ্ঠিত হৈ আছে সেই প্ৰজনন ক্ৰিয়াও নোহোৱা হ'লহেঁতেন। প্ৰজনন ক্ৰিয়া নাথাকিলে ভগৱানৰ এই বিনীদা সৃষ্টি ক্ৰিয়া কিদৰে সম্পন্ন হ'লহেঁতেন এতিয়া আমি তাক ভাবিব নোৱাৰোঁ।

স্ত্ৰী-পুৰুষৰ স্বাভাৱিক মিলন ইচ্ছা বা আসঙ্গ লিপ্সাই বিবাহৰ মূল। এই ইচ্ছাৰ বশীভূত হৈয়ে নৰনাৰীৰ লগত উপগত হৈছিল। এয়ে সাধাৰণ জৈৱ ধৰ্ম্ম। এই জৈৱ ধৰ্ম্মৰ বাহিৰে আন কোনো উৎকৃষ্টতৰ বিবাহ প্ৰথা মানুহৰ আদিম সমাজত প্ৰচলিত নাছিল। তেতিয়া ইচ্ছা অনুসাৰে মানুহে যেই সেই তিৰোতাকে গ্ৰহণ কৰিব পাৰিছিল। ইয়াত কোনো বাধ্ক বিচাৰ নাছিল। আৰু এই বাবে কাৰো ইহলৌকিক অপবাধ বা পাৰলৌকিক পাপো নহৈছিল। মহাভাৰতত আছে :—

অনাবৃতাঃ কিল পুৰা স্ত্ৰিয়ঃ আসন্ বৰাননে।
কামাচাৰ বিহাৰিণ্যঃ স্বতন্ত্ৰাশ্চাৰুহাসিনি॥
তাসাং ব্যুচ্চৰমানানাং কৌমাৰাৎ সুভগে পতীন্।
নাৰ্য্যোভূৰবাৰোহে স হি ধৰ্ম্মঃ পুৰাভবৎ॥
তঞ্চৈৰ ধৰ্ম্মং পৌৰাণাং তিৰ্য্যগ্ যোনি গতাঃ প্ৰজাঃ।
অদ্যাপ্যনুবিৰীয়ন্তে কামক্ৰোধবিবৰ্জিতাঃ॥
প্ৰমাণ দৃষ্টো ধৰ্ম্মোঽয়ং পূজ্যতে চ মহৰ্ষিভিঃ।
উত্তৰেষু চ বৰ্ত্তোক কুৰুষ্বদ্যাপি পূজ্যতে॥
স্ত্ৰীণামনুগ্ৰহকৰঃ সহি ধৰ্ম্মঃ সনাতনঃ।
অস্মিংস্তু নচিবাল্লোকে মৰ্য্যাদেয়ং শুচিস্মিতে॥

ইয়াৰ সংক্ষেপ ভাবাৰ্থ—পূৰ্ব্বকালত স্ত্ৰীসকল সকলোবে পক্ষে অনাবৃতা আছিল। তিবোতা বিলাক কামাচাৰী বিহাৰিণী আৰু স্বতন্ত্ৰা আছিল। ব্যভিচাৰী হলেও তেওঁলোকৰ কোনো অধৰ্ম্ম নহৈছিল। এয়ে পূৰ্ব্বকালৰ ধৰ্ম্ম। পূৰৱাসী সকলৰ পন্তপন্থীৰ নিচিনা এই ধৰ্ম্ম আজিও কিছু আছে। এই ধৰ্ম্মকে মহৰি সকলেও পূজা কৰে।

মানৱ সমাজ যেতিয়া ক্ৰমে ক্ৰমে উন্নত হৈ আহিল, তেতিয়া আগত কোৱা নিয়ম বহিত হৈ স্ত্ৰী-পুৰুষৰ মৰ্য্যাদা স্থাপিত হ'ল। যি কোনো তিৰোতাক যি কোনো পুৰুষে যেতিয়াই ইচ্ছা তেতিয়াই নিজৰ ইন্দ্ৰিয় পৰিতৃপ্তিৰ কাৰণে লৈ যাব নোৱাৰা হ'ল। কিন্তু স্বামীৰ অনুমতি অনুসাৰে তিৰোতাই অন্য পতিৰ লগত উপগত হব পৰা নিয়ম বহু কাললৈ চলি আছিল। এনেকি স্বামীৰ অনুমতি পাইও যদি নাৰী অন্য পুৰুষৰ লগত উপগত নহয় তেন্তে তাৰ বাবে নাৰী পাপ ভাগী হোৱা নিয়মো বহু পিছলৈ চলি আছিল। এই বিলাক কথাও মহাভাৰততে পোৱা যায়।

"বভূবোদ্দালকো নাম মহৰ্ষিৰিতি নঃ শ্ৰুতম্।
শ্বেতকেতুৰিতি খ্যাতঃ পুত্ৰস্তস্তাভবন্মুনিঃ॥
মৰ্য্যাদেয়ং কৃতা তেন ধৰ্ম্ম্যা বৈ শ্বেতকেতুনা।
কোপাৎ কমলপত্ৰাক্ষি যদৰ্থং তন্নিবোধমে॥
শ্বেতকেতুঃ কিল পুৰা সমক্ষং মাতৰং পিতুঃ।
জগ্ৰাহ ব্ৰাহ্মণঃ পাণৌ গচ্ছাৰ ইতি চাব্ৰবীৎ॥
ঋষিপুত্ৰস্ততঃ কোপং চকাৰামৰ্ষচোদিতঃ।
মাতৰং তাং তথা দৃষ্টা নীয়মানাং বলাদিব॥
কুদ্ধং তং তু পিতা দৃষ্টা শ্বেতকেতুমুবাচ হ।
মা তাত কোপমকাৰীৰেষো ধৰ্ম্মঃ সনাতনঃ॥
অনাবৃতা হি সর্ব্বেষাং বৰ্ণানামঙ্গনা ভুবি।
যথা গাবস্থিতা তাত স্বে স্বে বৰ্ণে তথা প্ৰজাঃ॥

ঋষিপুত্রোঽয়ং ধর্ম্মঃ শ্বেতকেতুর্ন চক্ষমে ॥
চকার চৈব মর্য্যাদামিমাঃ স্ত্রী পুংসযোর্ভুবি।
মানুষেষু মহাভাগে নত্বেবান্যেষু জন্তুষু ॥
তদা প্রভৃতি মর্য্যাদা স্থিতেয়ং ইতি নঃ শ্রুতম্।
ব্যুচ্চরন্ত্যাঃ পতিং নার্য্যা অঙ্গ প্রভৃতি পাতকম্ ॥
ভ্রূণহত্যা সমং ঘোরং ভবিষ্যত্যনুপাবহম্।
ভার্য্যাং তথা ব্যুচ্চরতঃ কৌমারীং ব্রহ্মচারিণীম্ ॥
পতিব্রতামেতদেব ভবিতা পাতকন্ ভুবি ॥
পত্যা নিযুক্তা যা চৈব পত্নী পুত্রার্থমেবচ।
ন করিষ্যতি তস্যাশ্চ ভবিষ্যতি তদেব হি ॥
ইতি তেন পুরা দেব মর্য্যাদা স্থাপিতা বলাৎ ॥"

[মহাভারত, আদিপর্ব্ব, ১২২ অধ্যায়, বঙ্গবাসী সংস্করণ।]

ইহার ভাবার্থ—পূর্ব্ব কালে উদ্দালক নামে এজন মুনি আছিল। তেওঁর শ্বেতকেতু নামে এটি পুত্র আছিল। এই শ্বেতকেতুর মাককে এদিন এজন ব্রাহ্মণে পিতাকৰ আগতে হাতত ধৰি "আহা আমি যাওঁ" বুলি টানি লৈ গ'ল। তাকে দেখি শ্বেতকেতুৰ বৰ ৰং উঠিল। তেতিয়া পিতাকে কলে "বাপা ৎং নকৰিবা। পৃথিবীত সকলো স্ত্রী সকলোবে পক্ষে অনাৰৃতা।" কিন্তু শ্বেতকেতুই এই ধৰ্ম্ম নামানি নিয়ম কৰিলে যে আজিৰ পৰা নাৰী, পুকষৰ প্ৰতি ব্যভিচাৰিণী হলে পাপভাগিনী হব। এই পাপ ভ্রূণহত্যাৰ সমান ঘোৰ আৰু 'অনুথাবহ' হব; আৰু পতিয়ে পুত্ৰৰ নিমিত্তে নিয়োগ কৰোঁতে যি ভাৰ্য্যাই নিয়োগ ধৰ্ম্ম নামানি অন্য পতিত উপগত নহয় সেই ভাৰ্য্যাবো সেই পাপ হব।

জৈৱ ধৰ্ম্মবশতঃ নাৰী আৰু পুকষৰ মিলন ইচ্ছাকে বিবাহৰ মূল বুলি যদিও আগেয়ে কোৱা হৈছে তথাপি আচলতে হলে আমাৰ সমাজত এতিয়া যি বিবাহ প্ৰথা প্ৰচলিত আছে সেই বিবাহ প্ৰথাৰ প্ৰথম ভেটি নৰ নাৰীৰ অবাধ মিলনৰ প্ৰতিকুল মহৰ্ষি শ্বেতকেতুৰ এই নিয়ম। নিয়ম প্ৰণয়ন আৰু সেই নিয়ম অনুসাৰে কাৰ্য্য হোৱালৈ কালৰ বহু ব্যৱধান থাকে। গতিকে শ্বেতকেতুৰ কৃত নিয়মো বহুকাললৈ যথাযথ ভাৱে প্ৰতিপালিত হোৱা নাছিল। তাৰ বহু আভাস প্ৰায় সকলো প্ৰাচীন গ্ৰন্থতে পোৱা যায়। ৰতিৰ অৰ্থে আগতা স্ত্রী প্ৰত্যাখ্যান পুকষৰ পক্ষে পাপ আছিল।

মানৱ সমাজ ক্ৰমে ক্ৰমে যেতিয়া সুপ্ৰতিষ্ঠিত হৈ আহিব ধৰিলে, যেতিয়া মানুহে জুম বাঢ়ি বা একোটা ঘেৰ হৈ বাস কৰিব ধৰিলে, খেতি-বাতিত কিছু পৰিমাণে মন দিব পৰা হ'ল, তেতিয়া বুদ্ধিমান মানুহে দেখিলে যে যদিও নৰ-নাৰীৰ ইন্দ্ৰিয় পৰিতৃপ্তিত কোনো বাধা নাই তথাপি স্ত্রী সাধাৰণৰ সম্পত্তি হোৱা গতিকে অনেক সময়ত নিজৰ ভিতৰতে স্ত্রীৰ নিমিত্তে হাই-কাজিয়া মাৰা-মাৰি প্ৰভৃতি হয়। তাক এবাৰ খুজিলে কোনো এক পুকষৰ কোনো এক নাৰীৰ ওপৰত নিবন্ধুশ স্বত্ব থকাটো প্ৰয়োজনীয়। আৰু নৰ-নাৰী এহাল লগ লাগি গোটেই জীৱনটো কটাব পাৰিলে আন আন অনেক গৃহস্থী কাৰ্য্যবো সুবিধা হয়। সেই দেখিয়ে প্ৰথমতে বুদ্ধিমান আৰু চিন্তাশীল লোকসকলৰ মনত বিবাহৰ চিন্তা উদয় হয়। তাৰ ফলত সমাজত বিবাহৰ প্ৰথা প্ৰচলন কৰিবৰ চেষ্টা হয়।

সমাজত কোনো এটা নতুন প্ৰথা চলাব খুজিলেই তাৰ বিৰোধী এদল মানুহ ওলায়। এই ওৰি নেৱা দলেই প্ৰাণপণে নতুন প্ৰথাৰ বিৰোধ আচৰণ কৰে। এই ওৰি নেৱা দল আগেয়ে আছিল, এতিয়াও আছে। নতুন পদ্ধীবিলাকে বিবাহ প্ৰথা প্ৰচলন কৰিব খুজিলেও ওৰি নেৱা দলৰ কাৰণে কন্যা পোৱা দুষ্কৰ হ'ল। ওৰি নেৱা দলৰ কথা হ'ল, ইমান দিনে য'ত সৰ্ব্বসাধাৰণৰ নিয়ন্ত্ৰণ স্বত্ব আছে, আজি তাত তেওঁলোকে ব্যক্তিগত স্বত্ব বাহাল হব কিয় দিব। গতিকে "দুষ্কৰো দাৰসংগ্ৰহঃ" হৈ পৰিল। তেতিয়া নতুন পত্নীবিলাকে দেখিলে যে ওৰি নেৱা দল লগত কিবা এটা 'আপোষ' বন্দোবস্ত কৰিব নোৱাৰিলে দাৰসংগ্ৰহ দুষ্কৰ হৈয়ে থাকিব। সেই কাৰণেই নিয়ম হ'ল যে নিজৰ খেল বা গোত্ৰৰ পৰা কোনোৱে কন্যা গ্ৰহণ কৰিব নোৱাৰিব। যদি কোনোবাই পাৰে তেন্তে তেওঁ আন খেল বা গোত্ৰৰ পৰা কন্যা গ্ৰহণ কৰিব, তাত কোনো আপত্তি নাই। কাৰণ গোত্ৰৰ মানুহবিলাকৰ গোত্ৰ নাৰীৰ ওপৰত যি স্বত্ব আছিল তাত কোনো বাধা নহ'ল। হিন্দু শাস্ত্ৰত সগোত্ৰ বিবাহৰ নিষেধৰ কাৰণো এয়া। সগোত্ৰ, সাকুল্য, সমানোদক, সপিণ্ড প্ৰভৃতি শব্দৰ অৰ্থ বিচাৰি চালেই এই বিলাকৰ মাজত বিবাহ নিষেধৰ মূল যে নিজৰ ভিতৰত বা অতি ওচৰ প্ৰতিবেশীৰ ভিতৰত কন্যা কন্দল তাক সহজে বুজা যাব।

গোত্ৰ শব্দৰ অৰ্থ গৰু চৰোৱা ঠাই, গতিকে সগোত্ৰ বা সমান গোত্ৰৰ অৰ্থ একে পথাৰতে গৰু চৰোৱা লোক। ইয়া মানে খেতি কৰা পথাৰ। গতিকে সাকুল্য শব্দৰ অৰ্থ একে পথাৰতে খেতি কৰা মানুহ। উদক শব্দৰ অৰ্থ জল,—সমানোদক মানে একে ঠাইতে পানী খোৱা লোক। পিণ্ড শব্দৰ অৰ্থ আহাৰ, গতিকে সপিণ্ড শব্দৰ অৰ্থ সমান আহাৰ গ্ৰহণকাৰী লোক; অৰ্থাৎ একে চকুতে ভাত খোৱা লোকসকল। গতিকে এই বিলাকৰ ভিতৰত বিবাহ হলে ফলাফল এই বিলাকৰ উমৈহতীয়া তিবোতা এজনী এজনে নিজৰ কৰি লব খুজিলে যে আনবিলাকৰ স্বাৰ্থহানি হব তাক নিশ্চিত। আৰু তাৰ ফলত যে এই বিলাকৰ ভিতৰত হাই কাজিয়া মাৰা-মাৰি আদি হব এই কথাও ধুকণ। সেই দেখিয়ে পূৰ্ব্ব কালত এই সকলৰ ভিতৰত বিবাহ নিষিদ্ধ আছিল। এই আচাৰ আজি হিন্দুসকলৰ ভিতৰত শাস্ত্ৰত পৰিণত হৈছে। এতিয়া আমি এই বিলাক কথাৰ আচল কাৰণ নাজানিও, এইবিলাক আচাৰ শাস্ত্ৰৰ বাচাৰ বুলি মানি আছোঁ। এতিয়া এইবিলাক আচাৰ কথাৰ প্ৰয়োজন আছে নে নাই সি সমাজ-হিতৈষী চিন্তাশীল আৰু পণ্ডিত লোকৰ বিবেচ্য।

পিছত আন গোত্ৰৰ পৰা কন্যা আনি বিবাহ কৰোৱাও কঠিন হ'ল। কাৰণ সেই গোত্ৰৰ মানুহে নিজৰ গোত্ৰৰ স্বত্বৰ ওপৰত নিজৰ স্বত্ব লোপ কৰি সেই কন্যা অসগোত্ৰৰ হাতত কিয় দিব? গতিকে আন গোত্ৰৰ পৰা কন্যা সংগ্ৰহ কৰিব লাগিলেও ছল, বল, কৌশল বা অৰ্থলোভ আদিৰ দ্বাৰা সেই গোত্ৰৰ মানুহক বশীভূত কৰি নোৱাৰিলে কন্যা সংগ্ৰহৰ আন উপায় নাছিল।

শিক্ষা আৰু সভ্যতাৰ শৈশৱ অৱস্থাত মানুহে সাধাৰণতঃ পশু-বলেৰেই সকলো কাৰ্য্য সমাধা কৰিছিল। বিবাহ সম্বন্ধত মানুহে সেই চিৰন্তন প্ৰথাকে অৱলম্বন কৰিলে। কন্যাৰ সগোত্ৰ সকলক বলেৰে পৰাভূত কৰি কন্যা আনি মানুহে দাৰ সংগ্ৰহ কৰিব ধৰিলে। দাৰসংগ্ৰহৰ এই প্ৰথাই বহু কাললৈ চলি আছিছিল। এতিয়াও যে একেবাৰে নাই এনে নহয়। বাপেক ভায়েকক মাৰ-পিট কৰি ছোৱালী কাঢ়ি অনা কথা আজিও অনেকে জানে। পৰবৰ্ত্তী কালত মহৰ্ষি মনুই যেতিয়া ব্যাহাৰ শাস্ত্ৰ প্ৰণয়ন কৰিলে তেতিয়া আঠ প্ৰকাৰ বিবাহৰ নাম নিৰ্দ্দেশ কৰি এই প্ৰকাৰ বিবাহৰ নাম দিলে বাক্ষস বিবাহ :—

"হত্বা ছিত্বা চ ভিত্বা চ ক্ৰোশন্তীং রুদতীং গৃহাৎ।
প্ৰসহ্য কন্যাহৰণং রাক্ষসো বিধিরুচ্যতে ॥"

[মনু, ৩য় অধ্যায়]

কন্যাপক্ষক (অৱশ্যে বিৰোধী হলে) হত, আহত বা চৰ্গৰ প্ৰাচীৰ প্ৰভৃতি ভেদ কৰি, বিলাপ কৰি ক্ৰন্দা কন্যাক ঘৰৰ পৰা হৰণ কৰি আনিলে তাক বাক্ষস বিধি বোলে। মহাভাৰতৰ প্ৰসিদ্ধ কাশীৰাজ কন্যা অম্বা অম্বালিকাৰ বিবাহ এই বাক্ষস বিধি মতে হৈছিল। সুভদ্ৰা আৰু ৰুক্মিণীৰ বিবাহ বাক্ষস আৰু গান্ধৰ্ব্ব বিবাহ মিশ্ৰণ মতে হৈছিল। গান্ধৰ্ব্ব বিবাহৰ কথা পিছত কোৱা হব। এই বাক্ষস বিধিয়ে বিবাহৰ প্ৰথম বিধি। ইয়াৰ পিছত ক্ৰমে ক্ৰমে উৎকৰ্ষ প্ৰাপ্ত আন আন বিবাহ প্ৰথাৰ প্ৰচলন হয়।

বাক্ষস বিধি অহুসাৰে কন্যা গ্ৰহণ সহজ নাছিল। সৌৰ্য্য, বীৰ্য্য থকা দুই এজন লোকেহে তেনে দৰে কন্যা সংগ্ৰহ কৰি বিবাহ কৰিব পাৰিছিল। সাধাৰণৰ পক্ষে এই বিবাহ সহজ নাছিল। আৰু এই বিবাহৰ কুফল এইটো আছিল, যে বলকৈ অন্য গোত্ৰৰ পৰা কন্যা হৰণ কৰি আনিলে উভয় গোত্ৰৰে অনেক লোক-ক্ষয় আৰু বহু ৰক্তপাত অনিবাৰ্য্য আছিল। তদুপৰিও উভয় গোত্ৰৰ ভিতৰতে বহুকাল পৰ্য্যন্ত এনেকি অনেক পুৰুষ পৰ্য্যন্ত যুদ্ধ বিগ্ৰহ চলি থাকিছিল। গতিকে সামাজিক কোনো কুটুম্বিতা আদিও সাধাৰণতে নথটিছিল। সেই দেখি আন উপায়ে কন্যা সংগ্ৰহৰ ভাব প্ৰথমে মানুহৰ মনত ওপজে।

নৰ-নাৰী উভয়ৰে মানসিক অৱস্থা প্ৰায় একে। সি যি কাৰণত পুৰুষে বিবাহ বন্ধনত আবদ্ধ হবলৈ ভাল পাইছিল স্ত্রীও সেই সেই কাৰণতে বিবাহ বন্ধনত আবদ্ধ হবলৈ ইচ্ছা কৰিছিল। আৰু কোনো এক পুৰুষৰ লগত কোনো এক স্ত্রীৰ স্বাভাৱিক আসঙ্গ লিপ্সাৰ আকৰ্ষণ অধিক থাকে। ঘাইকৈ এই দুই কাৰণতে অনেক যুৱক-যুৱতী

পরস্পরে মিলিত হৈ স্বামী-স্ত্রী রূপে বাস করিব ধরিলে। এই প্রথাত রাক্ষস বিবাহর দিবোষ কুফল, সিও নাথাকে আরু পরস্পর কামনা হেতুকে এই বিবাহ হোৱাত ই রাক্ষস বিবাহতকৈ অনেক পরিমাণে স্থায়ী আরু সুখকর হ'ল। গতিকে এই বিবাহ প্রথা সমাজত যথেষ্ট রূপে প্রচলিত হ'ল। য়ুরোপ আদি দেশত আজিকালি এই প্রথা চলি আছে। আমার দেশতো যে একেবারে নাই এনে নহয়। মহর্ষি মনুরে এই বিবাহর নাম দিলে গান্ধর্ব্ব :—

"ইচ্ছয়ান্যোন্য সংযোগঃ কন্যায়াশ্চ বরস্য চ।
গান্ধর্ব্বঃ স তু বিজ্ঞেয়ো মৈথুন্যঃ কামসম্ভবঃ॥"

বর আরু কন্যার ইচ্ছা অনুসারে মৈথুনর নিমিত্তে কাম হেতুক যি বিবাহ সেয়ে গান্ধর্ব্ব। পূর্ব্বকালত ছদ্মস্ত আরু শকুন্তলার বিবাহ এই বিধি অনুসারে হৈছিল। এই বিবাহ-জাত সন্তান বাজচক্রবর্ত্তী ভরত, যার নাম অনুসারে আমার দেশর নাম ভারতবর্ষ হৈছে।

গান্ধর্ব্ব বিধান অনুসারেও সকলোরে পক্ষে কন্যা সংগ্রহ করা টান আছিল। পরস্পরর প্রতি অনুরাগ থকা বর-কন্যাও সদায় পোরা সহজ নহয়। পরস্পরর প্রতি অনুরাগ জন্মিব লাগিলে বর-কন্যার সহজতে দেখা শুনার ব্যবস্থা থাকিব লাগে। পূর্ব্বকালত ভিন গোত্রর মানুহর লগত ভিন গোত্রর মানুহর দেখা শুনা হোৱা আজিকালির নিচিনা সহজ নাছিল। এই কাৰণেও অনেকে গান্ধর্ব্ব বিবাহ অনুসারে কন্যা সংগ্রহ কৰিব নোৱাৰিছিল। বিশেষতঃ বয়সীগাল আরু কুরূপ পুরুষর পক্ষে গান্ধর্ব্ব বিধান অনুসারে কন্যা সংগ্রহ করা অতি দুষ্কর। সেই কাৰণেই মানুহে ধনৰ বলত কন্যা সংগ্রহ কৰিবৰ চেষ্টা কৰিব ধরিলে। যি সকল সমাজত ধনী আরু নিকপদ্রস্থ লোক তেওঁলোকে দেখিলে যে নানা প্রকার গণ্ডগোলৰ ভিতৰলৈ যোৱাতকৈ কন্যাপক্ষৰ লোকক আরু কন্যাকো ধন দি সন্তুষ্ট কৰি কন্যা সংগ্রহ কৰিব পাৰিলে কোনো গণ্ডগোলৰ ভিতৰলৈ নাযায়ো সহজে দাসসংগ্রহ কৰিব পাৰি। গতিকে তেওঁলোকে কন্যাৰ জাতিসকলক আরু কন্যাকো ধন বস্ত্র দি সন্তুষ্ট কৰি কন্যা আনি স্বচ্ছন্দে বিবাহ কৰিব ধরিলে। এই বিবাহৰ নাম মহর্ষি মনুৰ মতে আসুৰ-বিবাহ।

"জ্ঞাতিভ্যোঃ দ্রবিনং দত্ত্বা কন্যায়ৈ চৈব শক্তিতঃ।
কন্যা প্রদান স্বাচ্ছন্দ্যাদাসুরো ধর্ম্ম উচ্যতে॥

জ্ঞাতি সকলক আরু কন্যাক ধন দি স্বচ্ছন্দচিত্তে কন্যা গ্রহণৰ নাম আসুৰ ধর্ম্ম।

সমাজৰ গোটেই আদি অৱস্থাত নহলেও অপেক্ষাকৃত অনুন্নত অৱস্থাত এই তিনি প্রকাৰ বিবাহেই প্রচলিত আছিল। এই তিনি প্রকাৰ বিবাহ মানুহৰ স্বভাৱজাত সংস্কাৰ অনুসাৰেই হৈছিল। আরু এই বিবাহ সম্পূর্ণ কাম-মূলক আছিল। এই বিবাহত কামৰ বাহিৰে আন কৰ্ত্তা বা কাৰণ নাছিল। ইয়াত কন্যাদানৰ কোনো আৱশ্যকতা নাছিল। কন্যা তেতিয়া কাৰো সম্পত্তি নাছিল। কন্যা সকলে অৱস্থাতে পুরুষৰ নিচিনা স্বাধীনা আছিল। নিজেই নিজৰ দানকর্ত্রী আছিল। অৱশ্যে তেতিয়া অসগোত্র যেই সেই কন্যাতে অসগোত্র যেই সেই পুরুষে যৌন সম্বন্ধ স্থাপন কৰিব পাৰিছিল।

সমাজৰ আদি অৱস্থাত ইয়াৰ বাহিৰেও পৈশাচ বিবাহ বুলি এক প্রকাৰ অধম বিবাহৰ কথা মনুরে উল্লেখ কৰিছে। এই পৈশাচ বিবাহ নামৰ যোগ্য; সেই ৰেতি তাৰ বিষয় ইয়াত আলোচনা করা নহ'ল। কেৱল পৈশাচ বিবাহৰ লক্ষণটো ইয়াত উল্লেখ কৰিলোঁ মাত্র :—

"সুপ্তাং মত্তাং প্রমত্তাং বা রহো যত্রোপগচ্ছতি।
স পাপিষ্ঠো বিবাহানাং পৈশাচশ্চাষ্টমোঽধমঃ॥"

টোপনিত থকা, এনেই পগলা বা মদ আদি খাই পগলা হোৱা কন্যাক নজনাকৈ বল কৰিলে তাকে পৈশাচ বিবাহ বোলে। এই বিবাহ বিবাহৰ ভিতৰত পাপিষ্ঠ আরু অধম।

সমাজৰ উন্নত অৱস্থাত আরু চাৰি প্রকাৰ বিবাহ প্রচলিত হৈছিল। সেই চাৰি প্রকাৰ বিবাহৰ নাম যথাক্রমে কোৱা হব। এই চাৰি বকম বিবাহত কন্যাৰ দাতা আছে; বিবাহৰ কর্ত্তা আছে। গতিকে তেতিয়া কন্যাৰ স্বাধীনতা লোপ হৈছিল। তেতিয়া কন্যা আনে দান কৰিব পৰা সম্পত্তি মাত্র। এনে সম্পত্তি অর্থাৎ আনে দান কৰিব পৰা সম্পত্তি, যেয়ে গ্রহণ কৰে, তেওঁ সেই গৃহীত সম্পত্তিৰ বক্ষণাবেক্ষণৰ বাবে দায়ী হোৱাটোও স্বাভাৱিক। সেই দেখিয়ে তেতিয়াৰ পৰা স্বামী স্ত্রীৰ বক্ষণ আরু পোষণৰ কর্ত্তা হ'ল। আরু সন্তান-সন্ততিবো পিতাকেই বক্ষণাবেক্ষণ আরু ভৰণ-পোষণৰ অধিকাৰ পালে।

পুরুষৰ এই অধিকাৰ প্রাপ্তিৰ লগে লগে নাৰীৰ সকলো স্বাধীন ভাব লোপ পালে। এনে কি নাৰীৰ যে পিতৃ-সম্পত্তিৰ ওপৰত স্বত্ব আছিল সেই স্বত্বও নোহোৱা হ'ল। এই ক্রমোৎকর্ষ প্রাপ্ত বিবাহৰ প্রথাই নাৰীৰ সকলো স্বত্ব লোপ কৰি নাৰীক 'অবলা' কৰিলে, আরু সকলো অৱস্থাতে নাৰী পুরুষৰ বক্ষণাধীন হ'ল। নাৰীৰ পক্ষে ব্যৱস্থা হ'ল :—

"পিতা বক্ষতি কৌমাৰে, ভর্ত্তা বক্ষতি যৌবনে।
বক্ষতি স্থবিৰে পুত্রঃ ন স্ত্রী স্বাতন্ত্র্যমর্হতি॥"

পিতাকে কৌমাৰ কালত, স্বামীয়ে যৌৱন কালত আরু বৃদ্ধ কালত পুত্রই নাৰীক বক্ষা কৰিব। স্ত্রী কেতিয়াও স্বতন্ত্রা হব নোৱাৰিব।

সমাজৰ উন্নত অৱস্থাত বিবাহৰ আগৰ বিধি বিলাকৰ লঘৰ হ'ল। বিবাহতো ক্রমে ক্রমে কামৰ প্রাধান্য গুচি আধ্যাত্মিকতাৰ ভাব সোমাব ধরিলে। তেতিয়া কন্যাৰ বাপেকে স্বাভাৱিকতে ভাল দৰা বিচাৰি আনি বৰ কন্যাক লগ লগাই দুয়োজনেকে গার্হস্থ্য ধর্ম্ম পালন কৰিবৰ অনুমতি দিব ধরিলে। এই প্রকাৰে যি বিবাহৰ বিধি ৰচিত হ'ল সি প্রাজাপত্য বিবাহ। এতিয়াৰ পৰা বিবাহৰ দেৱতা হ'ল প্রজাপতি। আরু তেতিয়া প্রজননে হ'ল বিবাহৰ মুখ্য উদ্দেশ্য। মনুত এই বিবাহৰ লক্ষণ এইদৰে আছে :—

"সহোভৌ চৰতাং ধর্ম্মমিতি বাচানুভাষ্য চ।
কন্যা প্রদানমভ্যর্চ্চ্য প্রাজাপত্যো বিধিঃ স্মৃতঃ॥"

"তোমালোক দুয়োজনে গার্হস্থ্য ধর্ম্ম পালন কৰা" এই কথা কৈ অর্চ্চনা কৰি কন্যাদান কৰাক প্রাজাপত্য বিধি বোলে।

তেতিয়া সমাজত যাগ-যজ্ঞ প্রভৃতিৰ বহুল প্রচাৰ হৈছিল তেতিয়া অনেকে যাগ-যজ্ঞ সম্পন্ন কৰিব নোৱাৰি বৰ সবা যাগ যজ্ঞ কৰিবৰ বাবে এজোৱা বা দুজোৱা গৰু লৈ কন্যাদান কৰিছিল। তেতিয়া অৱশ্যে কন্যা বাপেকৰ সম্পত্তিৰ নিচিনা হৈছিল, এই কথা আগেয়ে কোৱা হৈছে। সেই বাবে কন্যা দি তাৰ পৰিবর্ত্তে গৰু লোৱাটো অন্যায় বুলি বিবেচিত নহৈছিল। এনেকৈ যি বিবাহ হৈছিল তাক আর্ষ বিবাহ বুলিছিল। এই বিবাহৰ লক্ষণ মনুত আছে :—

"একং গোমিথুনং দ্বে বা বরাদাদায় ধর্ম্মতঃ।
কন্যা প্রদানং বিধিবদার্ষো ধর্ম্মঃ স উচ্যতে॥"

ধর্ম্মার্থে এক জোৱা বা দুই জোৱা গৰু বৰৰ পৰা লৈ কন্যাদান কৰিলে তাক আর্ষ ধর্ম্ম বোলে। কোৱা বাহুল্য যে পৰবর্ত্তী কালৰ দুঃসহ কন্যাপণ প্রথাৰ বীজ এই আর্ষ ধর্ম্ম।

যাগ-যজ্ঞৰ বহুল প্রথাৰ সময়ত আরু এটি প্রথাৰ প্রচলন হৈছিল। অনেক সময়ত যজ্ঞাদি শেষ হলে পুৰোহিতক সন্তুষ্ট কৰিবৰ অভিপ্রায়ে দক্ষিণা স্বৰূপে নিজৰ কন্যাকে দান কৰিছিল। আরু অনেক সময়ত বোধ কৰোঁ এনে হোৱাও অসম্ভৱ নাছিল যে যাগ-যজ্ঞৰ বিপুল ব্যয় বহন কৰোঁতে যজমান একেবারে সর্ব্বস্বান্ত হৈছিল, আরু শেষত পুৰোহিতক দক্ষিণা দিব নোৱাৰি নিকপায় হৈ নিজৰ কন্যাকে দক্ষিণাগণে দিছিল। এই বকমে যি বিবাহ হৈছিল তাক দৈব-বিবাহ বুলিছিল। মনুৰ মতে এই বিবাহৰ লক্ষণ :—

"যজ্ঞে তু বিততে সম্যগৃত্বিজে কর্ম্মকুর্ব্বতে।
অলঙ্কৃত্য সুতা দানং দৈবং ধর্ম্মং প্রচক্ষ্যতে॥"

যজ্ঞ শেষ হলে কর্ম্ম কৰা পুৰোহিতক সালঙ্কৃতা কন্যা দান কৰাকেই দৈব বিবাহ বোলে।

বিবাহৰ চৰম উৎকর্ষ হৈছে ব্রাহ্ম বিবাহ। সমাজৰ উন্নততম অৱস্থাতহে এই বিবাহ প্রচলিত হৈছিল। এই বিবাহত কন্যাৰ পিতাকে বেদ-বেদাঙ্গাদি বিশাৰদ ব্রহ্মচর্য্য-পৰায়ণ বৰক মাতি আনি বিষ্ণু স্বৰূপ বৰ বুলি যথাসাধ্য পূজা কৰি ব্রহ্মচাৰিণী কন্যাকো লক্ষ্মীস্বৰূপা ভাবি সাধ্যানুসাৰি বস্ত্রালঙ্কাৰ প্রভৃতিৰ দ্বাৰা অলঙ্কৃতা কৰি দান কৰিছিল। এই বিবাহত আন সকলো প্রকাৰ বিবাহতকৈ আধ্যাত্মিক ভাব বেছি। মহর্ষি মনুরে এই বিবাহৰ লক্ষণ এইদৰে বর্ণনা কৰিছে :—

"আচ্ছাদ্য চার্চ্চয়িত্বা চ শ্রুতশীলবতে স্বয়ং।
আহূয় দানং কন্যায়াঃ ব্রাহ্মধর্ম্ম প্রকীর্ত্তিতঃ॥"

বস্ত্র অলঙ্কার প্রভৃতির দ্বারা অর্চ্চনা করি বিধান করক মাতি আনি কন্যা দান করাকে ব্রাহ্মধর্ম্ম বুলিছিল।

হিন্দু বিবাহর আক এটি কথা ইয়াত উল্লেখ করার প্রয়োজন। হিন্দুর সগোত্রর ভিতরত যেনেকৈ বিবাহ নিষেধ আছে, তেনেকৈ অতি আত্মীয়র ভিতরতো বিবাহর নিষেধ বিধি প্রচলিত আছে। সগোত্র বিবাহর নিষেধর কাৰণ আগেয়ে কোৱা হৈছে। অতি আত্মীয়র ভিতরত বিবাহর নিষেধর কাৰণো অলপ ভাবি চোৱা য'ক। আজিকালি অনেকক কোৱা শুনা যায় যে অতি আত্মীয়র লগত বিবাহ হলে সেই বিবাহজাত সন্তান শাৰীৰিক বল-বীর্য্য আক মানসিক বুদ্ধি-বৃত্তি আদি বিষয়ত হীন হয়। এই কথাটো কিমান যুক্তিসঙ্গত আক বিজ্ঞানসম্মত তাক কব নোৱাৰোঁ। কিন্তু সাধাৰণ চকুৰে চালে দেখা যাব যে পৌৰাণিক যুগতো অতি আত্মীয়র লগত হোৱা বিবাহ-জাত সন্তান শাৰীৰিক বা মানসিক কোনো বিষয়তে সাধাৰণতকৈ হীন নাছিল। পৌৰাণিক যুগত এনে বিবাহ-জাত অর্জ্জুনর পুত্র অভিমন্যুর শাৰীৰিক, মানসিক আক নৈতিক বলর কথা আজিও প্রবাদর নিচিনা হৈ আছে। বর্ত্তমান যুগতো যি যি সমাজত অতি আত্মীয়র ভিতরত বিবাহর প্রথা চলিত আছে সেই সমাজর লোকসকলতো কোনো বিষয়তে আত্মীয়র লগত বিবাহ নোহোরা সমাজর লোকতকৈ হীন নহয়। গতিকে ওচর আত্মীয়র লগত বিবাহ নিষেধ অন্ধ কাৰণ থকাহে অনুমান করা যুক্তিযুক্ত।

আমার মনেৰে হলে তলত লেখাটোকে ওচর আত্মীয়র লগত বিবাহর নিষেধর কাৰণ বুলি অনুমান হয়। ওচর আত্মীয়র ভিতরত ঘন ঘনকৈ সহজতে দেখা শুনা হৈথাকে। এনে অবস্থাত এজনী ছোৱালীর প্রতি আত্মীয়সকলর অনেকৰ আকর্ষণ থকাটো অস্বাভাৱিক নহয়। তেনে স্থলত আন সকলোকে বঞ্চিত কৰি সেই ছোৱালী এজনক বিলে নিৰাশ হোৱা প্রেমিক সকলর লগত, ছোৱালী গ্রহণ করোতা জনর মনোমালিন্য হোৱাও স্বাভাৱিক। আক সেই কাৰণেই তেওঁলোকর ভিতরত হাই-কাজিয়া ঘটি পাৰিবাৰিক অশান্তি হোৱাৰ ভয়তে ওচর আত্মীয়র লগত বিবাহ, হিন্দু শাস্ত্রমতে নিষিদ্ধ হ'ল।

আদিতে সকলো কামমূলক আছিল; আক বিবাহর দেৱতাও আছিল কাম। কামমূর্ত্তি চৰিতার্থ করাৰ কাৰণে স্ত্রী-পুরুষর এক প্রকার চুক্তি আছিল বিবাহ। আদি কালত বিবাহর কামেই আছিল প্রধান উদ্দেশ্য। ইয়াত কাম শব্দর অর্থ নিজর ইন্দ্রিয় পৰিতৃপ্তির ইচ্ছা।

"নিজেন্দ্রিয় তৃপ্তি ইচ্ছা তাৰে বলি কাম।"

শ্রীশ্রীচৈতন্যচৰিতামৃত।

সেই দেখি আজিও বিয়াত নিম্নোদ্ধৃত কামমন্ত্রি পাঠ করে।

"ওঁ ক ইদং কস্মা অদাৎ, কামঃ কামায়াদাৎ। কামো দাতা কামঃ গ্রহীতা, কামঃ সমুদ্রমাবিশৎ। কামেন ত্বা প্রতিগৃহ্নামি কামৈতত্তে॥"

ইয়ার সাধাৰণ ভাবার্থ—"এওঁ কোন? কোনে দিব? কামেই কামক দিব। কামেই দাতা, আক কামেই গ্রহীতা। কাম হেতুকে তোমাক গ্রহণ করিলোঁ।"

শিক্ষা আক সভ্যতাৰ গুণত যেতিয়া অথবা ইন্দ্রিয় পৰিতৃপ্তি এটি পাশৰিক কার্য্য বুলি বিবেচিত হ'ল, আক যেতিয়া মানুহে বুজিব পাৰিলে যে অথবা ইন্দ্রিয় পৰিতৃপ্তির ফলত মানুহর শাৰীৰিক আক মানসিক অৱনতি ঘটে, তেতিয়া মানুহে বিবাহক কামমূলিক স্ত্রী-পুরুষর এক রকম চুক্তি ভাবে নাচাই ইয়াক এটি ধর্ম্মমূলক সম্বন্ধ রূপে পৰিণত কৰিবৰ চেষ্টা কৰিব ধৰিলে। এই চেষ্টার ফলত বিবাহত কামৰ প্রাধান্য গুচিল। কামৰ স্থান প্রজননক দিয়া হ'ল। পুত্রোৎপাদনেই বিবাহর প্রধান উদ্দেশ্য বুলি ঘোষিত হ'ল। তেতিয়াৰ পৰা বিবাহর দেৱতাও কাম ওচি প্রজাপতি হ'ল। কল্যাৰ বিশেষ হ'ল "প্রজাপতি দেবতাকাং।" আক বিবাহত আধ্যাত্মিকতাৰ ভাবো আহিল তেতিয়াৰ পৰা। বিবাহর আধ্যাত্মিকতাৰ সম্বন্ধে এটি বেলেগ প্রবন্ধত যথাসাধ্যে আলোচনা করা হৈছে। গতিকে এই প্রবন্ধৰ ইয়াতে সামৰণি মরা হ'ল।

ওঁ শান্তিঃ! ওঁ শান্তিঃ!! ওঁ শান্তিঃ!!!

আত্মবিরতি

(চ)

—শ্রীচিত্রসেন যথবীয়া।

সম্পাদক ডাঙ্গৰীয়া

বহুতে নুবুজে, আচল কথা বহুতে নুবুজে। জীৱনী লিখা উদ্দু কাম বুলি বহুতে ভাবে—ময়ো ভাবিছিলোঁ, কিন্তু এতিয়াহে দেখিছোঁ সেইটো নহয়। কবলৈ অৱশ্যে ভাল লাগে, লিখিবলৈ ভয় লাগে। বাৰু আপুনি নিজেই ভাবি চাওকচোন, সঁচাকে মিছা। এনে বহুত কথা আছে যিবোৰ দুই এজন বন্ধুৰ আগত কৈ সুন্দৰকৈ উপভোগ করা যায়, কিন্তু তাতে বুলি সকলোৰে আগতনো হিয়া উদুৰাই কেনেকৈ কওঁ? আপোনাৰ অৱশ্যে বয়স কম, তাতে বুলি আপোনালোকে শাস্ত্র সাগৰ মথি নো পোৱা নাই নে, সংস্কৃতত আছে—"নক্রস্যাং", "নক্রস্যাং"নে কি এইটো নহয় যেন পাইছোঁ,—কিবা "অবসিকেষু বসস্য নিবেদনম্ নকুর্য্যাৎ।" আপোনালোকৰ ডেকা তবপক মই ভাল পাওঁ। বুজে ভাল, দবদী, মৰমী (মই কেনে up-to date) প্রাণৰ কদৰ বুজে। কিন্তু এওঁলোকৰ লগত ভাল হবলৈ গৈ মই মোৰ নিজৰ পাখিৰ, অর্থাৎ birds of the same নে similar feather ধর্ম্মমূলক লগত বেয়া হওঁ। অলপতে সিন্ধিনাথন ছোৱালী জনীৰ খবৰ লবলৈ যাওঁতে নাথাওঁতে শ্রীৰাম শইকীয়া ছিৰক্তদাৰৰ তাত সোমালোঁ—তেখেতে নাম ঘৰৰ পৰা ওলাই কেঁচা কঠাল ভুকোহ মান কামুৰিছে। ল'ৰাবোৰে, হাইউকমি কৰিছে। পেট কামুৰিব বুলি কাকো দিয়া নাই, ভালবে কথা। বৰ ঘৰৰ পিৰালিতে এইবোৰ ঘটনা। মই অৱশ্যে চৰা ঘৰৰ পৰা কেবাহিকে চাই ৰেখিছিলোঁ। আজিকালি তাতে বৰ ঘৰ চ'ৰাঘৰ আগৰ ডাঙ্গৰীয়া সকলৰ নিচিনাকৈ নাথাকে নহয়। চৰা ঘৰ মানে পটিক' বা আগবঢ়াই দিয়া ঘৰৰ অংশটো আক বৰ ঘৰ মানে পৰ্দা থাকিলে তাৰ ভিতৰৰ ফাল আক নাথাকিলে ঘৰাৰৰ সিপিঠি। পটিক' আক মূলঘৰৰ মাজৰ পিৰালিকে যে বৰঘৰৰ পিৰালি বুলিছোঁ তাত নিশ্চয় সন্দেহ নাই। চ'ৰা ঘৰত বহি তাৰ খিৰিকিৰে বৰঘৰৰ খিৰিকিলৈ at certain angle চালে ঘৰৰ ভিতৰলো ভালেখিনি পদার্থ দেখি, কেতিয়াবা প্রাণীও দেখি। সিদিনা শইকীয়ৰ গাৰ কাষেৰে মোৰ চকু তেওঁৰ ঘৰৰ ভিতৰ চুকি পোৱাত—এটা Show caseৰ দৰে কাঁচ খুওৱা বাকচত বহুত খোলাকুটি দেখিছিলোঁ—মোৰ অৱশ্যে তেতিয়াই একো কৌতুক উপস্থিত হোৱা নাছিল, হোৱাৰ কাৰণো নাছিল। ভাবিছিলোঁ কোনোবা ল'ৰা ছোৱালীয়ে খৈছে। পিছত বাৰ লাইব্রেৰীত ডেকা উকীলবোৰৰ মুখে শিটো শুনিলোঁ সেইটো নহয় বোলে। অৱশ্যে চিবন্তনাৰ ডাঙ্গৰীয়াক যদিও মই আগৰে পৰা জানোঁ, সহজে মোৰ এই অনুমানটো হোৱা নাছিল। এওঁলোকে কয় কি, যে তেখেতে হেনো কোনোদিন একো নিকিনে, আনকি সেই ছো-ওকছটোত তেওঁ কিনা নহয়। ভোটৰ সময়ৰ 'বেলট বক্স'। তাৰ এফালৰ কাঠ এছটা ওচাই, কাছাৰী ঘৰৰ ছৱাৰৰ আয়না এখন সোলোকাই হেনো চাহাবক কৈ তাতে খুৱাই লৈছিল। তাৰ কাম শেষ পৰাত সেইটোকে নি ঘৰত থাপনা পাতিছে আক আগৰ ফটা কানিৰ টোপোলাটো মেলি তাত খোলাকুটি কেঙোথৰ ভৰাই খৈছে। সেই কেইডোখৰ সেই সেই খোলাকুটি নহয়। তেওঁ নাজিৰৰ বাৰ পোৱাৰ দিনৰে পৰা আজিলৈকে যিমানবোৰ গাধীৰৰ টেকেলি-কলহ মানুহৰ পৰা পাইছে বা অনাইছে, সকলোৰে এডোখৰ কৈ হেনো ভাঙ্গি বাখে আক সেই খোলাবোৰকে আগেয়ে টোপোলা বান্ধি খৈছিল, আজিকালি এই বাকচটোত থয় আক তেওঁৰ বিছনাৰ মুৰ শিতানতে হেনো সদায় বাখে; উকীল সকলৰ কিছুমানে অনুমান করে যে শইকীয়াৰ টোপনি নাহিলে হেনো ঘৰৰ কোনোবা এজনৰ হুতুৱাই

এই বাকছটো লৰাই জন্‌জন্ শব্দ কৰায় আৰু তাৰ শব্দত হেনো তেওঁৰ ভাল টোপনি হয়। এওঁলোকৰ এজনে কলে যে যোৱা মাঘ বিহুৰ পিছত হেনো এবাৰ গন্তি কৰা হৈছিল। তিনি হেজাৰ পাঁচ ডোখৰ খোলাকুটি হৈছে। যিয়ে নহ'ক, খোলাকুটিৰ চেঞ্চাছৰ বাবে এই কথা উলিৱা নাই। মোৰ আচৰণত যে সমান বয়সীয়া দু এজনে বেয়া পাইছে তাকেহে কব খুজিছোঁ। ছিৰস্তাদাৰ ডাঙ্গৰীয়াই মোক কলে যে "যথৰীয়া, আপোনাক শলাগিব নোৱাৰিলোঁ। সিদিনা বলৰামহঁতৰ দোকানত আৱাহন নে কি সেই কলিকতীয়া কাকতখনৰ পাত লুটিয়াওঁতে আপোনাৰ জীৱনী নে কি সেইখন পঢ়িলোঁ। তেনেই আপচু সোপা লিখিছে। আপোনাৰ এই বয়সত তেনেকৈ পেংলাই কৰাৰ দিন আছেনে?" মই একো মতা নাছিলোঁ; তেওঁ আকৌ আৰম্ভ কৰিলে—"কেলৈ জীৱনত ভাল কথা ভাল বতৰা নাই নে? ডেকা ল'ৰা, ডেকা ছোৱালী,—এইবোৰ আপোনাক কিয়? জীৱনী যদি লিখে, আপুনি টকা পইছা কেনেকৈ ঘটিলে তাকে লিখক বা সমাজত, ধৰকচোন, আমাৰ সকলোৰে অলপ চলপ যি প্ৰতিপত্তি আছে, তাকে লিখিব।- আৰু আচল কথা— জীৱনৰ সাৰ কথা, পৰম বস্তু, পৰম বিত—হৰিৰ নাম।" 'কলৌ হৰের্ণাম, হৰের্ণাম, হৰের্ণাম হি কেৱলম্।" কেচা-মেছা দেহা,—দুদিন পিছত ভেলৰ কি অৱস্থা হব? আপুনি বুজা উচিত, আপোনাক নো কব লাগেনে?" এই বুলি সুৰ লগাই টানিলে—"হৰি নাম বিনে আন বস্তু নাহি" 'হি'ৰ শেষ নৌপৰোঁতেই দেখিলোঁ এজন মানুহে এক আখি কল আৰু আঠোটামান বাৰমহীয়া বেঙেনা হাততকৈ ওলোমাই লৈ আহি শইকীয়াৰ চ'ৰা ঘৰৰ দুৱাৰ মুখত থিয় দিছে। মই আঙ্গুলিয়াই কলোঁ "সেইবোৰ আছে নহয়।" শইকীয়াই অতি স্বাভাৱিক ভাৱে কলে "ইহঁতৰ ধৰ্ম্মত মতি থকা বাবেই তো দেশখন উছন হোৱা নাই। নহলে আপোনালোকৰ দৰে বিধৰ্ম্মীৰ সমাজ হোৱা হলে দেশ থাকিল হয় নে!' মানুহজনে কল-বেঙেনা চুকত থৈ ডিঙ্গিত কাপোৰ লৈ শইকীয়াক উবুৰি খাই পৰি সেৱা কৰি কলে—"দেউতাই ৰাখিলে ৰাখিব, মাৰিলে মাৰিব। একেটা ল'ৰা।" মই ইয়াৰ অৰ্থ একো বুজা নাছিলোঁ, আগৰ ছোৱাও মনে মনে ভাবিছিলোঁ—হৰিৰ নামৰ বক্তৃতা নো কিমান শুনিব, যলৈকে যাওঁ এই নীৰস কথা সোপা। দাঁত পৰিলেই ভূত চাপে নেকি, আগেয়ে কাকো হৰিৰ নাম লোৱা নেদেখোঁ, এতিয়া নো এনে জাউৰি বটে কিয়? কিন্তু মানুহজনৰ এই ভক্তি নো কিয়? শইকীয়ানো কেতিয়াৰ পৰা এনে অধিকাৰ গোঁসাই হ'ল? শইকীয়াই কলে "ভগৱানক ভাব, একো নহয়।" মানুহজনে কলে "দেউতা আজিয়ে দিন।" মনতে ভাবিলোঁ—ইয়াৰ অৰ্থ কি। ফুটাই কলোঁ "কি হৈছে তোৰ?" মানুহজনে কঁপি-দৰি কলে—"চেঙেলীয়া ল'ৰা দেউতা, ওচৰৰে এঘৰৰ নাৰিকল পাৰিছিল। সিহঁতে কয় বোলে চোৰ। মোৰ ল'ৰা নো দেউতা চোৰ হব পায় নে? আজিলৈকে মই কাৰো কেঁহা তামোলৰ পাণ এখিলা ইফাল সিফাল কৰা নাই।" সি কান্দে। শইকীয়াৰ খং উঠি কলে "কেছাৰীত কাম থকা মানুহ মোৰ ইয়ালৈ কেলেই—যা যা"। সি কাবৌ কাকুতি কৰিবলৈ ধৰিলে। শইকীয়া খঙত অগ্নি-শৰ্ম্মা হৈ নানা অবাইচ কথা কলে। লগতে ইয়াকো কলে "দুটা কল আৰু বেঙেনাৰে কাম সাধিবলৈ আহিছে, আজি-কালি ঘিউৰ দাম কিমান? এটেকেলি ঘিউ হাতত নাহে?" ময়ো লাহেকৈ কলোঁ "নাৰিকলৰ দাম নো কিমান?" সি কলে—"দেউতা, গোটে দুপইছা।" মই কলোঁ "ভগৱানে নোৱাৰিলেও মই বঁচাম আহ।" সি মোৰ লগতে আহিল। কিন্তু আমি তাৰ পৰা ওলাই অহাৰ আগতে সি নিয়া বস্তুখিনি শইকীয়াৰ চাকৰৰ ল'ৰাটোৱে ভিতৰ কৰি থৈছে। মানুহজনৰ মুখত নানা কথা শুনিলোঁ। সেইবোৰ মোৰ জীৱনীৰ নহয়, শইকীয়াৰ। আমি, শ্ৰীমান প্ৰতাপ বোপাটি আৰু বুঢ়া উকীল কেইজনৰ সহায়ত out of court কৰিলোঁ—অৰ্থাৎ আদালতৰ বাহিৰতে মিটমাট কৰিলোঁ। তাতেই Show case টোৰ কথা ওলাইছিল। হিন্দু সভাৰ কাম আছে বুলি আটাই কেইজন ডেকা গোসাই দেউৰ হুইচেল পাই থানাথানি হ'ল। মই ছো-কেছ ৰহস্য ভেদ কৰিব নোৱাৰিলোঁ। জোকাৰিলে শব্দটো কাণত বেয়া নালাগিব লাগে।

আপোনাক জনাবলৈ পাহৰিছোঁ। আমাৰ বৰ বোপা

আহিল. আজি প্ৰায় দেৰমাহ হ'ল। অসমীয়া কাকত পত্ৰবোৰ বেয়া হৈছে, সেই কাৰণেতো লোকে গ্ৰাহক নহয়। গ্ৰাহক হলেও পইছা নিদিয়ে। সেই হিচাপে আপোনাৰ কাকতখন ভাল। লাহে লাহে মাহে মাহে ওলাই থাকে। কথাও বহুত লেখে। ক'ত লালুকিৰ নেজ নাই, কেইটা পপীয়া তৰা এতিয়ালৈকে খহি পৰিল, বেদ আগৰ নে বেদান্ত আগৰ নানা মূল্যবান প্ৰবন্ধই সৈতে বহুত অনুসন্ধানৰ তথ্য ওলায়। "শিল সাঁকোৰ দান," "তেজ-পুৰীয়াৰ আঁতিগুৰি" ভাল, আমাক আজিকালি এইবোৰ তো লাগে। মই 'ছজেষ্ট' কৰোঁ—এইবোৰৰ উপৰিও এখন ওভাৰলিফ থকা ভাল। তাত recent arrival বা departure হোটেল বা জাহাজৰ কোম্পানীৰ দৰে জাননী থাকিব লাগে। তেতিয়া হলে আমাৰ বৰ বোপা বিলাতৰ পৰা অহা কথাটো আপোনাৰ কাকতৰ জৰীয়তেই প্ৰকাশ কৰিব পাৰিলোহেঁতেন নহয়। সি ডিগ্ৰী লৈ অহা নাই, সেইটো এক ৰকম ভালেই কৰিছে। ডিগ্ৰী কিয় লাগিছে? ৰবি ঠাকুৰৰ কেইটা ডিগ্ৰী? বাৰ্ণাৰ্ড শ্বৰ কেইটা ডিগ্ৰী? ফিলিপ স্নোডেন, হাৰ হিটলাৰ, মাছোলিনিৰ কেইটা ডিগ্ৰী? তিমান যাবই নালাগে—বেথাই গামৰ, হতক বৰুৱাৰ কেইটা ডিগ্ৰী? ডিগ্ৰী লাগে যেয়ে চাকৰি বিচাৰে তাক। মোৰ ল'ৰাই চাকৰি কৰি খাব নে? লাগে চুৰ কৰি খাব। মই মোৰ সম্পত্তি চাকৰি কৰি কৰা নাই, চুৰ কৰি কৰিছোঁ, মানুহক ঠগি কৰিছোঁ। কাৰো মুখা-পেক্ষী হৈ কৰা নাই। মোৰ ল'ৰাক চাকৰি নালাগে, সি মোৰ উপযুক্ত পুত্ৰ হলে swindle কৰিব। অৱশ্যে এই কথা মিষ্টাৰ জাকাৰীয়া (জুনিয়ৰ)ৰ বাবে কোৱা নাই। তেওঁ বহুত টেক্‌নিকেল শিকি আহিছে—মই কওঁ তেওঁ টেকনিকেলত যাকে তাকে শিকাব পাৰে। আমাৰ দেশ-বাসী বৰ গুণগ্ৰাহী। আমাৰ মানুহক যে আনে সহজতে ঠগে তাৰ আন কাৰণ একো নাই, যেয়ে যি কয় আমাৰ গুণগ্ৰাহী মানুহে কাণ পাতি শুনে, লোকে সেই ছেগতে ঠগে। থাৰ্ড ক্লাছ মানুহ।

আমাৰ দেশৰ বোৰ ফাষ্ট ক্লাছ। কলিকতাৰ ঠিকনাত যেয়ে সেয়ে এখন ইস্তাহাৰ দিব, যি লাগে তাকে সস্তা দামত দিম বুলি, আৰু আমাৰ মানুহে তাকে বিশ্বাস কৰি আগধন পঠিয়াব; কোম্পানীৰ শ্যেয়াৰ কিনিব—fully paid-up shares। দুবছৰমান এখনকৈ কাকত পাব। পিছত সেই ঠিকনাত চিঠি লিখি একো জবাব নাপাই হতাশ হৈ এৰি দিব। কব—"বৰাত নিব নে?" কলিকতাত থকা অসমীয়া ল'ৰাবো এয়ে 'ফিলছফি।' সিদিনা খন এজনক নিউমাৰ্কেটৰ ওচৰত পাই সুধিলোঁ—"বোপা, তোমাৰ বোলে ঘড়ী সোণৰ বোটাম আদি চোৰে নিলে?" তেওঁ হাঁহি কলে "নিয়ক দিয়ক, সি কিবা তাৰে খাব নে?" মনত ভাবিলোঁ—এনে মহানুভৱতা ডেকা ল'ৰা সকলৰ থাকিলে দেশৰ উন্নতি নিশ্চয় হব। লোকৰ ল'ৰাৰ কথা কোৱা মোৰ উদ্দেশ্য নহয়, মোৰ ল'ৰা জনৰ বহুত শিক্ষা হৈছে। টেক্‌নিকেলত এনে শিক্ষা বহুতৰ নাই। শ্ৰীমান গুৰুপ্ৰসাদ বোপাক অৱশ্যে মই জানো। তেওঁ ভাল কামো এডুখৰি পাইছে কিবা-কিবি "লেটাৰ পেটেণ্ট" নে কি উলিৱাইছেও। মোৰ ল'ৰায়ো কিজানি সুবিধা পালে কিবা কৰে। ভাবিছোঁ এই দুডোখৰিয়ে ভাল ল'ৰা। পিছত মোৰ ল'ৰাই সুবিধা পোৱা নাই। মোৰ কথাৰ সুৰত যেন কোনোৱে নাভাবে যে চাকৰি নোপোৱাৰ বাবে মই 'আপছোছ' কৰিছোঁ,—'নেভাৰ'। তথাপি এটা atmosphere লাগে, টেম্‌পাৰেচাৰ লাগে—নহলে লোহা গলিব কেনেকৈ? টেক্‌নিকেলত নিশ্চয় লোহা লাগে। সিদিনা খন "আলাপ-সম্মিলন"লৈ মোৰ ল'ৰাক মাতিছিল—আলাপ মানে কথা পতা নহয়. গানৰ আলাপ যিসকলে নুবুজে তেওঁলোক নিৰক্ষৰ। নাচ গান, ৰঙ্গমঞ্চত মোৰ ল'ৰাৰ যিমান অভিজ্ঞতা, নিচেই কমৰে সেইখিনি আছে বুলি শুনিছোঁ। আৰু তেওঁৰ পিকচাৰ এলবামত যিমান কেইজনীৰ ছবি দেখিছোঁ—এটা ভাখৰি (ভড়াল) ভৰে। অৱশ্যে এলবামটো মই চাওঁ বুলি চোৱা নাছিলোঁ, হাতত পৰিছিল! আৰু এটা কথাও, ডেকা কালৰ কথা—"ছিৰিয়াছ্‌লি ন-টেকিতব্যম্।" আলাপ বিলাপ হোৱাৰ পিছত মোৰ ল'ৰাৰ বক্তৃতাৰ পাল। গানতো মোৰ লৰাই নাম কৰিছিল। সুৰ বিলাতী। শ্ৰীমান জ্যোতি প্ৰসাদ বোপাই অলপ গানৰ আবৃত্তি কৰা

গম পাওঁ। মই হলে নিজ কাণে শুনা নাই। এটা কথা—নুশুনাও ভাল, কাৰণ আচলতে মই একো নুবুজোঁ। কিন্তু দহজনৰ লগত পৰিলে নমৰিলেও চকু মুদিব লাগে। 'সুন্দৰ হৈছে' 'বৰ ভাল গায় বোপাটিয়ে' এনেকৈ কব লগীয়া হয়। হয়! মোৰ ল'ৰাৰ মাতটি মোৰ কাণত মিঠা লাগে,—হাজাৰ হ'ক, পেটৰ ল'ৰা। ওস্তাদবোৰৰ admiration নাপাব পাৰে। আমাৰ ইয়াত ওস্তাদ কেইটা? যি ওস্তাদ আছে ভাটিৰ ফালে! তেওঁলোকৰো বিশেষত্ব—কোনোৱে তেওঁলোককো নুবুজে—সমজদাৰ কেইটা লগত অহা মানুহ, বহুতে কয় ভাৰতীয়। সেইবোৰ আনৰ কথা। মোৰ ল'ৰাই বক্তৃতাত সুন্দৰ কৰিছে। অসমীয়াৰে আৰম্ভ কৰিছিল, কিন্তু poor ভাষা। বাপেকি চাই হে ল'ৰা—ইংৰাজীতে ফণফণাই দিলে। বহুতে মুখ মেলি চাই ৰ'ল। মোৰ ওচৰতে বহিছিল দেৱেশ্বৰ দত্ত ৰায় চাহাব। তেওঁ ব্যৱসায় কৰি উঠা মানুহ। কেঞাই তেওঁক মানুহ কৰিছে। ভুৰামল মৰিল, তেওঁ উঠিল। তেওঁ কলদাৰ অৰ্থাৎ ধান সৰিয়হ জোখা আছিল। সুবিধা হলে মানুহ এনেকৈয়ে উঠে। তেখেতে মোক তেতিয়াই শলাগিছিল "ভাল ল'ৰা কৰিছে যখৰীয়া, ভাল ল'ৰা কৰিছে। ইহঁতৰ যহতে আপোনাৰ নাম ফাটি ফুটি যাব।' মই সুধিলোঁ "আপোনাৰ ল'ৰাই ইবেলি দেখোঁ বি-এ পাছ কৰিলে যেন পাইছোঁ।" তেখেতে কলে "থৈ দিয়ক, থৈ দিয়ক সেইটোৰ কথা। মেমেৰা কটা, মুখৰ মাত নাই। ল'ৰা বিলাতলৈ পঠিৱাহে কথা! তাক গুৱাহাটীৰ পৰা নি কলিকতাত দিলোঁ, বোলো অলপ চালাক হ'ক। সি ঠাই বাচি ললে ডাণ্ডাছ নে মাণ্ডাছত সেইখন, তাতো ল'ৰা থাকে নে? সাক্ষাৎ যেন দণ্ডপানীৰ আশ্ৰম। ল'ৰাক অভিভাৱকে দেখা কৰিবলৈ গলে সময়, বন্ধুবান্ধৱে কৰবালৈ মাতিলে সময়,—ইমানবোৰ আইনৰ হেঁচাত মানুহ ডাঙ্গৰ হয় নে? সুপাৰিনথন জন অসমীয়া, আমাৰে দুৱৰাৰ ঘৰৰ ল'ৰা। বোলোঁ অলপ চাব চিন্তিব। তেওঁ সদায় কবিতা লেখে। আজিকালি নো কবিতাৰে মানুহ ডাঙ্গৰ হয় নে? আপোনাৰ মোৰ কথা ভাবি চ'ক—আপুনিতো পদ জোঁটাব জানে, মই কি জানো? কিন্তু আমাৰ কথা এটা ভাবি চ'কচোন।" মই ভাবিলোঁ এই ভোম্বোল দাসৰ কথা শুনি থাকিলে কি হব, সিপিনে মোৰ ল'ৰাই বক্তৃতা দিছে। মই চমুকৈ কলোঁ "যতীন বোপাক মই জানো, বৰ সাধু। আপোনাৰো ভাগ্য ভাল। আপোনাৰ ল'ৰা আপোনাৰ নিচিনা নহয়। খাতা জাল নকৰে; হিৰণ্যাক্ষৰ পুতেক প্ৰহ্লাদ। মনে মনে থাকক মিটিঙত কথা নাপাতে।" তেওঁ একো নামাতিলে। মোৰ ল'ৰাই টেক্‌নিকেলৰ কথা বহু কলে। বিলাতত বোলে গোটেই টেকনিকেল আৰু ইলেক্‌ট্ৰিকেল—কিবা-কিবি মেকেনিকেলো; মুঠতে হলে টেক্‌নিকেল। গান বা সঙ্গীতৰ বক্তৃতাত নো ইমানবোৰ টেকনিকেল খাটে নে? ভাবিলোঁ আজিকালি সকলো টেক্‌নিকেল। চাপৰি কিন্তু এজাউৰি ভালকৈ পালে। তাহানি গুৱাহাটীত এটা মিটিং দেখিছিলোঁ। এজন ডেকা ল'ৰাই বেত জোকাৰি বক্তৃতা দিছে আৰু সমাজে চাপৰি বজাইছে। ইমানকৈ বজাইছে যে কথাৰে ছেদ আছে, কিন্তু চাপৰিৰ ছেদ নাই। চাপৰিতকৈ বক্তাৰ চিঞৰ ডাঙ্গৰ, চিঞৰতকৈ চাপৰি ডাঙ্গৰ। শেষত বক্তা ক'লাস্প্ কৰিলে, চাপৰি থামিল। কোনোৱে কয়, বক্তা জন চেৰাবলিয়া আছিল। মই কব নোৱাৰোঁ। মোৰ ল'ৰাৰ বক্তৃতা থামিল dead hush। ওলাই যাওঁতে কোনোবাই কলে drunk। উত্তেজিত হলে তেনে বক্তৃতা ডেকা মানুহে দিব পাৰে, তাতে বুলি drunk হব লাগেনে? আৰু খালেই বা অলপ তাকে নো প্ৰকাশ কৰিব লাগেনে? নাখায়ে বা কোনে? খ'ক বা নখ'ক সেইবোৰ নো লাগিছে কেলেই? অসমীয়াই ৰেকৰ্ড ৰাখিছে, ৰাখিব, বেবি অষ্টিন ভাগে ভাগিব। তাতে বুলি আমাৰ ল'ৰাই লণ্ডনত ঘণ্টাত ষাঠি মাইল বেগত মোটৰ নচলোৱাকৈ থাকিব নে? আৰু ৰাটি জাগিবলৈ অলপ খাইছিল খাইছিল, তাকে নো ইয়াত ৰটি খচি ফুৰিব লাগে নে? ভাগ্য ভাল, মোৰ ল'ৰাৰ চকু বাঁচিছে—ডাঙ্গৰ এক্‌চিডেণ্ট্।

মোৰ ল'ৰাৰ ডায়েৰীৰ পৰা চুৰ কৰি তুলি দিলোঁ—ভোঁ ভোঁ কৰি গাড়ী চলিছে বায়ু বেগত। তিনিজন আৰোহী, কাৰো হুঁচ নাই,—এজনে কয়—"This is for the first time in the annals of Assam that three Assamese youths are driving in the streets of London at a speed sixty miles per hour at this early dawn' দ্বিতীয় জনে কৈছে—'sweet the memory' তৃতীয় জনে কৈছে—'sweet the girls!' "wall! a crash! a terrible crash!—a period of unconsciousness" সম্ভৱ তাৰ পিছত, Hospital and motor repair!

চিঠি

—বীণা

লাহোৰ
১৫ চ'ত

চেনেহৰ আইকণ,

সিদিনা মাথোন তোমালৈ এখন চিঠি দিছিলোঁ। কিন্তু তাৰ উত্তৰলৈ বাট নাচাই আজি আকৌ এখন দিলোঁ। যি হ'ক অহা বাৰ দুয়োখন চিঠিৰ উত্তৰ একেবাৰে দি ইয়াৰ হোৰ তুলিবা দেই। যোৱা বাৰৰ চিঠি খনত তুমি মোক কেবাটাও প্ৰশ্ন কৰিছিলা, কিন্তু এটা প্ৰশ্নৰ উত্তৰ মই দিব নোৱাৰিলোঁ। এই প্ৰশ্নটো তুমি মোক আৰু এদিন আন এঠাইত সুধিছিলা, মনত আছেনে তোমাৰ? কিন্তু সেই দিনাও মই তাৰ উপযুক্ত উত্তৰ দিব নোৱাৰিলোঁ, ভাবিছিলোঁ তুমি যোৱাৰ আগতে এদিন তোমাক সকলো কথা ভাঙি পাতি কম; কিন্তু সময় কৰিব নোৱাৰিলোঁ। আজি সেই প্ৰশ্নটিৰে উত্তৰ দিম বুলি কাকত কলম লৈ বহিলোঁ। কিন্তু ক'ৰ পৰা যে আৰম্ভ কৰিম, আৰু ক'ত যে শেষ কৰিম আইকণ, ভাবি তাৰ ওৰ পোৱা নাই।

তুমি জানা, তোমাৰ লগত মই সৰু কালৰে পৰা একেখন কাঁহীতে খাই, একেখন পাটীতে শুই ডাঙৰ দীঘল হৈছোঁ, তোমাৰ আগত মোৰ লুকাবৰ কিবা থাকিব পাৰে বুলি ভাবানে? মই বৰ ভালকৈ জানো তুমি মোৰ উত্তৰ টো সমূলি বিশ্বাস নকৰিবা। কাৰণ বাহিৰত দেখাত বিধাতাইতো মোক কম সুখ দিয়া নাছিল। কিন্তু সকলো মোৰ ভাগ্যৰ দোষ। ইমান সুখৰ মাজতো অন্তৰৰ নিভৃত কোণত যে দুঃখৰ নিজৰাটি সদায় কুলু কুলুকৈ বৈ যাব ধৰিছে, তাক একমাত্ৰ অন্তৰ্য্যামীৰ বাহিৰে আন কোনেও নাজানে। সঁচাকৈ আইকণ, মোৰ নিজৰ দেশৰ মানুহ আৰু সমাজৰ ওপৰত এটা বৰ বিতৃষ্ণা উপজিছে; সেইহে আজি মই ইমান দূৰৈত—কোনেও নিচিনা নজনা ঠাইত আহি বাস কৰিছোঁহি। সেই বুলিয়েই আইকণ নাভাবিবা যে দেশৰ কাৰণে মোৰ প্ৰাণ এবাৰ হুক্‌হুক্‌কৈ কান্দি উঠা নাই। ঘৰৰ ওচৰেদি বই যোৱা নিজৰাটিয়ে মোক সদায় তোমালোকৰ আৰু চেনেহী জনম ঠাই ডোখৰৰ বতৰাটি কাণে কাণে কৈ যায়। চৰাইৰ সুললিত গান বোৰে মোক মাথোন বলিয়া কৰে, কেৱল মনত পৰে আমাৰ ঘৰৰ আগৰ সেই আহঁত জোপাৰ মইনা, কুলি আৰু ভাটৌবোৰলৈ—কেনে মিঠা সেই স্মৃতিবোৰ, কিন্তু কি কৰিবা আইকণ, তথাপি.....।

তুমি জানা আইকণ···। যিদিনাৰ পৰা আই বোপায়ে মোক তেওঁৰ হাতত সঁপি দিলে, সেইদিনাৰ পৰাই মই তেওঁক দেৱতা বুলি পূজা কৰিবলৈ আৰম্ভ কৰিলোঁ। প্ৰাণৰ সকলো ভালপোৱা তেওঁৰ চৰণত ঢালি দিলোঁ। সঁচা কথা তেওঁৰ পৰা মই সকলো বস্তু পাইছিলোঁ। কিন্তু পোৱা নাছিলোঁ এটি বস্তু—কি জানা? নাৰীৰ শ্ৰেষ্ঠ কাম্য। ভবিষ্যতত যে কেতিয়াবা পাম তাৰো আশা অতি কম। দেৱতাক পূজা কৰিছিলোঁ, কিন্তু তাৰ প্ৰতিদান কি পালোঁ, ক'বলৈ লাজ লাগে—দুখ লাগে আইকণ! যি কি নহ'ক সকলো দুখ অকাতৰে সহ্য কৰিছিলোঁ, কেৱল মাথোন ভবিষ্যতৰ টিমিকি টিমিকি জ্বলি থকা আশাৰ বন্তিটোলৈ চাই। ভাবিছিলোঁ সন্তানৰ ওপৰত সকলো ভালপোৱা ঢালি দি প্ৰাণত শান্তিৰ নিজৰা বোৱাই দিম, আৰু প্ৰতিদানো ইয়াৰ পাম। কিন্তু নিষ্ঠুৰ বিধাতাই মোক ইয়াৰ পৰাও বঞ্চিত কৰিলে। কত কি যে আশা কৰিছিলোঁ, কিন্তু আশাৰ বন্তিটি মোৰ একে ফুঁতে নিয়তিৰ নিৰ্ম্মম বিধানে নুমাই দি গুচি গ'ল।

সিদিনা মোৰ স্বামীৰ পৰা এখন চিঠি পাইছোঁ। চিঠিখন পঢ়িলেই সকলো বুজি পাবা।

কল্যাণীয়াসু,

বলীৰাম মৌজাদাৰৰ কন্যা সেউতীৰ লগত বহাগৰ ৩ তাৰিখে মোৰ বিয়া ঠিক কৰিছোঁ। বিয়াৰ পিছত তোমাৰ ইচ্ছা হ'লে আহিবা, আৰু নাহিলেও কোনো আপত্তি নাই। মোৰ সম্পত্তিৰ আধা তোমাৰ নামে লেখাপঢ়া কৰি দিছোঁ।

তোমাৰ বাকী ছোৱা জীৱনটৈ সেই সম্পত্তি নিচেই তাকৰ নহব। ঈশ্বৰে তোমাৰ মঙ্গল কৰক।

ইতি
তোমাৰ 'মই'

চিঠিখন পাই বজ পৰা মানুহৰ নিচিনা মই ঠৰ হৈ ৰ'লোঁ। সঁচাকৈ আইকণ, এই চিঠিখন পঢ়ি কোন এনে আছে যাৰ হিয়াখন শোকৰ চোটেৰে উটি নাযাব? মই ইমান নিলাজ নহওঁ যে স্বামীৰ পৰা বঞ্চিতা আৰু তেওঁৰ হাতত লাঞ্ছিতা হৈ আকৌ তেওঁৰে সম্পত্তিৰ ওপৰত ধিয়াই থাকিম। তেওঁৰ সম্পত্তিৰ ভাগ মই নলওঁ। মইতো সম্পত্তি কেতিয়াও বিচৰা নাছিলোঁ। মোৰ বি অপার্থিব শান্তিৰ পৰা মই বঞ্চিতা তাৰ অভাৱ পার্থিব কি সম্পত্তিৰে পূৰণ কৰিব পাৰে? মোৰ সেই অভাৱ তেওঁ গোটেই পৃথিবীৰ সম্পত্তি দিলেও পূৰণ কৰিব নোৱাৰিলোহেঁতেন। যদিও তেওঁৰ অন্তৰত ঠাই লৱৰ কাৰণে মই সমূলি উপযুক্ত নাছিলোঁ, তথাপি কিন্তু মই মোৰ চকুলোৰে ধৌত ভালপোৱাৰূপী ফুলবিলাকেৰে তেওঁৰ চৰণত অঞ্জলি দিবলৈ কেতিয়াও পাহৰা নাছিলোঁ। ভাবিছিলোঁ, মইহে অপৰাধী, মোৰেই দোষ। ক্ষমা খুজিলে ক্ষমা বোধ কৰোঁ তেওঁ কৰিব। কিন্তু এই হতভাগিনীৰ সকলো চেষ্টা বিফল হ'ল। কি কৰিম জীৱনৰ পিয়লাটি ব্যর্থতাৰে ভৰপুৰ হ'ল। শোক বোলা বস্তুটিক এই দীর্ঘ জীৱনৰ আগ-ছোৱাতে খুব ভালকৈ বুজি পালোঁ। একমাত্ৰ মইনাক চাগৈই জীয়াই আছিলোঁ আইকণ। ঠিক যেন স্বয়ং ভগৱানৰ সজীৱ প্রতিমূর্ত্তিটি আছি মোৰ মকময় জীৱনত শান্তিৰ নিজবা বোৱাইছিল। কিন্তু উঃ! হিয়া ভাঙি যায়। মোৰ এইখিনি সুখো বিধাতাই সহিব নোৱাৰিলে। এদিন মইনাকো মোৰ কোলা উদাহৈ লৈ গ'ল। সংসাৰৰ শোকৰ জুই সহিব নোৱাৰি, ভাবিছিলোঁ আত্মহত্যা কৰিম। কিন্তু আকৌ ভাবিলোঁ, মানুহ হৈ শোক সহিব নোৱাৰি কাপুৰুষৰ কাম কৰিম নে? ভগৱানে যেতিয়া সৃষ্টি কৰিছিল মোৰ ওপৰত কিছুমান কৰ্ত্তব্যও তেওঁ নিহিত কৰিছিল নিশ্চয়। কোনোবাই যেন কাণে কাণে কৈ দিলে, "দেশৰ কামত আত্মসমর্পণ কৰা।" আজি মই জেলত। মাতৃভূমিৰ উদ্ধাৰৰ কাৰণে কাৰাবৰণ কৰিব পাৰিছোঁ, ইয়াতেই মই চৰম শান্তি পাইছোঁ। মই বহুত দিন সৰবন্দী আশ্রমত আছিলোঁ, তাৰ পিছত লাহোৰলৈ আহিছিলোঁ। কি কাৰণে আহিছিলোঁ, তাকতো তোমাক আগেয়ে কৈছোঁ।

স্বামীৰ কথা মোৰ আজি কালি বৰকৈ মনত নপৰে—কিন্তু মইনাক—মোৰ প্রাণৰ মইনাকতো এখন্তেকো পাহৰিব পৰা নাই আইকণ। এই দেহাটিত প্রাণ থাকে মানে সেই স্মৃতিৰ ফুই কুৰা সদাই বুকুত লৈ থাকিম।

তুমি মোক সুধিছিলা মই কিদৰে সময় কটাওঁ। কি কৰিম; এতিয়া এখন খুলা খুলিছোঁ, তাতে সক লৰা-ছোৱালীবিলাকৰ কাৰণে গান গাবলৈ, পঢ়িবলৈ আৰু আন আন কাম শিকিবলৈ সুবিধা কৰি দিছোঁ। তাতেই দিনৰ বেছি ভাগ সময় কটাওঁ আৰু সময় পালে কন্যাৰ মোহময় ৰাজ্যত উকি মুৰোঁ। উঃ! কত কথা মনত পৰে—আইকণ, অতীতৰ সেই সুখৰ দুখৰ স্মৃতিবোৰ মনৰ চুৰু আগত ভাহি মুৰে। ভবিষ্যতৰ দিন কেইটাও এইদৰে আলে-জালে কোনোমতে কটাই অন্তত শান্তিধামলৈ যাবলৈকে বাট চাই আছোঁ।

মোৰ দীঘলীয়া চিঠিখন পঢ়ি হয়তো তোমাৰ আচৰিত লাগিব, কিন্তু আইকণ, তোমাৰ ওচৰত আজি মোৰ হিয়া উজাৰি দি কিমান শান্তি পাইছোঁ, তাক যদি অনুভৱ কৰিব পাৱা, তেন্তে আৰু বেজাৰ নাপাবা।

দেউতি আজিকালি কিমান ডাঙৰ হৈছে? বি মোৰ মইনাবৰে লগৰীয়া আছিল, কিন্তু আজি মইনা কঁতা যি হ'ক ঈশ্বৰে মোক অশেষ দুঃখ যন্ত্রণা দিলেও তোমালোকৰ সুখ শান্তি দেখিয়েই প্রাণৰ শোকৰ চোটবোৰ অলপ শান পৰিব। ঈশ্বৰে যেন দেউতিক উপযুক্ত কৰি তোমালোক দুজোৰে জীৱন সুখময় আৰু মধুময় কৰি তোলে আৰু বীৰপ্রসবিনী বুলি যেন তুমি অসম আইৰ নাম উজলাব পাৱা।

এতিয়া গধুলি হৈছে। পছিম পিনে আকাশত যাৰ ঘোৱা বেলিটিৰ সেন্দুৰীয়া বৰণটিয়ে গোটেই আকাশ এটা ফাল তেনেই বাঙলী কৰি তুলিছে। বাতিৰ আন্ধাৰে গোটেই আকাশ ছাটি পেলাব ধৰিছে। যাওঁ আবতি চাকিটি জ্বলাই দি আহোঁ গৈ।

মোৰ অন্তৰৰ ভালপোৱা লৱা আইকণ। উত্তৰটো বাট চাই থাকিলোঁ। আশা কৰোঁ মোৰ আশা ব্যর্থ নহব।

তোমাৰ চেনেহৰ 'দীপা'

আজান ফকিৰৰ অসমীয়া গীত

—শ্রীযুত ক্ষেত্রধৰ বৰগোঁহাই

জ্ঞান আৰু ভক্তি মাৰ্গত অগ্রসৰ হৈ হজৰতৰ সত্যবাণী বুজাই জনসমাজত সাম্য-মৈত্রীবাদ প্রচাৰ কৰাৰ অভিপ্রায়ে, শত বাধা-বিঘ্ন অতিক্রম কৰি হিজৰী একাদশ শতাব্দীৰ আগ ভাগত সুদূৰ পশ্চিমৰ পৰা যি চাৰিজন মোছলেম সাধক অসমলৈ অহাৰ কথা জনা যায়, তেওঁ-লোকৰে এজনৰ নাম আছিল আজান ফকিৰ। ভগৱৎ প্রেম আৰু সাধনাৰ মাহাত্ম্য দেখুৱাই একান্ত ধৰ্ম্ম-প্রজা সকলোবে পৰা আজান ফকিৰে অশেষ সমাদৰ আৰু পূজা পাইছিল। বৈষ্ণৱ কৰিসকলৰ দৰে, তেওঁ হাদিচ কোৰাণৰ জটিল তত্ত্ব সকলোৱে বুজিব পৰাকৈ সৰল আৰু নিজাঁজ অসমীয়া ভাষাত অলেখ গীত-পদ ৰচনা কৰি সর্ব্বসাধাৰণৰ মাজত ইছলাম ধৰ্ম্মৰ ৰস বিলাইছিল। এই মহাত্মাৰ পুণ্যকাহিনী এতিয়াও উজনি অসমৰ বৃদ্ধ সকলৰ মুখত শুনিবলৈ পোৱা যায়।

মুছলমান বিশ্বাসৰ ভিতৰত চিয়া আৰু চুন্নি এই দুই মূল বিভাগৰ বাহিৰেও চাৰিজন ইমাম্ অর্থাৎ ধৰ্ম্মপ্রচাৰকৰ মহাগুৰী (১) হানিফী, (২) মালেকী, (৩) হম্বলী (৪) ঢুকী নামেৰে আৰু চাৰিটা ডাঙৰ সম্প্রদায় আছে। অসমত ইছলাম ধৰ্ম্মী আজান ফকিৰ হানিফী মজহবৰ সাধক আছিল। গতিকে বৰ্ত্তমান উজনি অসমৰ মুছলমান সকলৰ অধিকাংশ হানিফী সম্প্রদায়ভুক্ত বুলি জনা যায়। ফকিৰে তেওঁৰ গীতত এই বিষয়ে উল্লেখ কৰি গৈছে—

"চাৰি ইমামৰ চাৰি মজহফ
হানিফী মজহফক জান।
মচকুফা নবিৰ চাৰি কুকছি
জানিবা মুছলমান॥"

হানিফী মতাৱলম্বী সকলৰ ব্রহ্মোপাসনা বা সাধন পন্থত আৰু চাৰিটা স্তৰ বা অৱস্থা আছে বুলি কয়। (১) চৰিয়ৎ অর্থাৎ দান ব্রত, যম, নিয়ম, উপাসনা আদিৰ দ্বাৰা চিত্ত-শুদ্ধি কৰা; (২) তৰিকৎ অর্থাৎ শাস্ত্ৰৰ বচন পালন কৰি নীতি-সংযমত চলা; (৩) হকিকৎ অর্থাৎ সত্যক উপলব্ধি কৰা; (৪) মাৰিফৎ অর্থাৎ ব্রহ্মজ্ঞান বা মোক্ষ লাভ হোৱা। আজান ফকিৰ এজন মাৰিফৎ অৱস্থা প্রাপ্ত মুক্তিদ অর্থাৎ ব্রহ্মজ্ঞানী গুৰু ভাৱে জন সমাজত পৰিচিত হৈছিল।

ঐতিহাসিক সত্যৰ অভাৱত, এই মুছলমান সাধকজন কোন দেশৰ পৰা কেতিয়া অসমলৈ আহিছিল, এই বিষয়ে সঠিক মীমাংসা কৰা বর্ত্তমান টান হৈ পৰিছে। তেওঁৰ ৰচিত গীত এফাঁকৈৰ পৰা ইয়াকে মাথোন জানিব পাৰি যে—

"দহ শ দুকুৰি নবিচন হিজিৰি
আকৌ পাঁচ বছৰ যায়।
আজান ফকিৰে এই জিগিৰ কৰিলে
হাদিচ ফকহত পায়॥"

গতিকে হিজিৰী একাদশ শতাব্দীৰ আগ ভাগতে তেওঁৰ এই দেশলৈ আগমন হোৱা বুলি ধৰি লব লগা হৈছে। ফকিৰে অতি সহজ আৰু বিশুদ্ধ অসমীয়া ভাষাত ৰচনা কৰি যোৱা পদাৱলী দেখিলে তেওঁক এজন এই দেশতে উপজি ডাঙৰ-দীঘল হোৱা মানুহ বুলিও বহুতে অনুমান কৰিব পাৰে। কিন্তু এঠাইতে তেওঁৰ নিজৰ গীততে নিজক বিদেশী বুলি চিনাকী দিছে—

ভিণাৰী আজানে কয় আহোঁ পৰদেশ,
বিনা গুৰু মুখে নামৰ নাপাই আহোঁ ভেদ॥

বুঢ়া লোকৰ মুখত শুনা বিষৰণ মতে তেওঁ এজন আজমীৰৰ ফালৰপৰা অহা, চৈয়দ বংশজাত পুৰুষ আছিল।

নিজৰ সঙ্গী ভকত (১) নবী, (২) চাৰাল আৰু (৩) খণ্ডকাৰক নামনি অসমত এৰি, আজান ফকিৰে অসম বঙ্গৰ বাজধানী বংপুৰ নগৰলৈ উজাই আহি দিখৌ নৈৰ কাষত হৰাগুৰী চাপবিত এটি সামান্য পঁজা লৈ কিছুকাল অজ্ঞাত ভাৱে বসতি কৰে। তাতে ওচৰ-চুবুৰীয়া মুছলমান সকলৰ লগত লাহে লাহে ফকিৰৰ ঘনিষ্ঠতা বৃদ্ধি হয়। ধৰ্ম্মপ্রাণ ফকিৰৰ মুখত কো�ৰাণৰ সৰল আৰু হাদিচৰ নানা সাৰগর্ভ উপদেশ শুনিবলৈ পাই মুছলমান বিলাকে এটি

এটিকৈ তেওঁৰ শিষ্য হবলৈ ধৰিলে। ফকিৰৰ সঙ্গীত-লহৰীত ইছলামৰ বিশ্বজনীন ভ্ৰাতৃভাৱ আৰু প্ৰেম পৰিস্ফুট হ'ল। তেওঁৰ গীতৰ সুৰত "হৰিৰ্ণামৈব কেৱলং" ধ্বনি উঠিল।

তদ্ বিদ্ধি প্ৰণিপাতেন পৰিপ্ৰশ্নেন সেবয়া।
উপদেক্ষ্যন্তি তে জ্ঞানং জ্ঞানিনস্তত্ত্বদৰ্শিনঃ॥

অৰ্থাৎ জ্ঞানীসকলক প্ৰণিপাত, সংসাৰ সম্বন্ধে বাৰম্বাৰ প্ৰশ্ন আৰু গুৰু শুশ্ৰূষা দ্বাৰা আত্মজ্ঞান লাভ কৰা। তত্ত্বদৰ্শী জ্ঞানী সকলে তোমাক উপদেশ দিব। এই শাস্ত্ৰীয় বচনৰ সাৰমৰ্ম্ম ফকিৰৰ গীতৰ ছন্দত প্ৰকাশ পালে।—

জীৱৰ সাৰথি নাম।
সৎ গুৰুক ভেটিবা, আতমাক চিনিবা
সিজিব দীনৰ কাম॥

* * * *

আচৰত (স্বৰ্গত পৰিলে ৰেখা (নিচান)।
সঁচা গুৰু বুলি খাটনি খাটিলে
দিব আল্লাৰ নুৰে (জ্যোতি) দেখা॥

তেওঁৰ নামৰ ঝঙ্কাৰে আন ধৰ্ম্মাৱলম্বী সকলৰো মন প্ৰাণ ক্ৰমে আকৰ্ষণ কৰিলে! নামৰ অমৃতময় ৰসত মুগ্ধ হৈ বহুত কেৱলীয়া বৈষ্ণৱ ভকত তেওঁৰ ওচৰ চাপি আহিল। জাতিভেদ আৰু ধৰ্ম্মভেদ পাহৰি তেওঁলোকে ফকিৰৰ শিষ্যসকলেৰে সৈতে তত্ত্বকথাৰ আলচ আৰু প্ৰীতি ভাবৰ আদান কৰিবলৈ ধৰিলে।

"মমিনে মমিনে চেনেহা চেনেহি
চকুৱে চকুৱে বেখা।
নপঢ়া ফকিৰে কবলৈ ধৰিছে
আদি কলমৰ কথা॥"

এইদৰে আজান ফকিৰে ধৰ্ম্ম বিলাই হিন্দু মুছলমান সকলোকে একাকাৰ কৰিছে বুলি কোনোবা ৰক্ষণশীল হিন্দুৱে ৰজাত গোচৰ দিলেগৈ। ৰূপাই ফতুমা নামেৰে এজন মুছলমান বিষয়াক পঠাই ৰজাই ফকিৰক ৰাজ চৰালৈ মতাই অনালে। প্ৰকাশ্য ৰাজসভাত ফকিৰৰ গুণাগুণ বিচাৰ হ'ল। অৱশেষত ৰজাই ফকিৰৰ মাহাত্ম্য জানিব পাৰি তেওঁ যি ঠাইত বাহৰ পাতি আছিল, তাতে তেওঁক মাটি বৃত্তি দি নিগাজীকৈ স্থাপন কৰিলে।

"দিখৌ নৈৰ কাষৰি, হুৱাগুৰি চাপৰি,
ৰজাই বন্ধাই দিয়া মঠ।
ছকুৰি ভকতে লয় আল্লাৰ নাম
মাদুৰী বনৰে কঁঠ॥"

তেতিয়াৰে পৰা ৰাজ অনুগ্ৰহ লাভ কৰি ফকিৰে অবাধে নিজৰ ধৰ্ম্মমত প্ৰচাৰ কৰিবলৈ সুযোগ পালে।

প্ৰবাদ আছে যে, বহুত দিন ব্ৰহ্মচাৰী ভাৱে কাল কটাই ফকিৰে পিছত গৃহস্থাশ্ৰমত প্ৰবেশ কৰে আৰু সংসাৰত চাৰিটি পুত্ৰ-সন্তান থৈ তেওঁ স্বৰ্গী হয়। বৰ্ত্তমান শিৱসাগৰ নগৰৰ দিখৌ নৈ আৰু ধাই আলিৰ ওচৰত এতিয়াও আজান ফকিৰৰ দৰগা অৰ্থাৎ সমাধি স্থানৰ চিন আছে আৰু এতিয়াও জাতিবৰ্ণ নিৰ্ব্বিশেষে সকলোৱে সেই ঠাই লৈ গৈ সম্মান আৰু ভক্তি কৰে।

ফকিৰৰ চাৰি পুত্ৰ (১) খোৱাজ, (২) মাচুম, (৩) কুটুবদ্দিন আৰু (৪) চাহালোৱা চাহেবৰ পৰাই উজনি অসমত চৈয়দ বংশ বাঢ়ি গৈ ক্ৰমে হুৱাগুৰীয়া, হোলোঙ্গাপৰীয়া, আইঁতগুৰীয়া, জাঁজীয়লীয়া, কপলীয়াল, ৰূপহীয়াল আদি সম্ভ্ৰান্ত দাৱান পৰিয়াল সমূহৰ সৃষ্টি হৈছে বুলি জনা যায়। ৰজাৰ দিনত এই পৰিয়ালভুক্ত মুৰব্বী দাৱান সকলে মহন্ত বিলাকৰ দৰে যথেষ্ট সম্মান আৰু দান বৃত্তি ভোগ কৰিবলৈ পাইছিল।

আজান ফকিৰৰ লগৰীয়া বাকী তিনি জনৰ বিষয়ে আমি সবিশেষ নাজানো। পৰস্পৰৰ মুখত কেৱল ইমানকে মাথোন জানিবলৈ পোৱা যায় যে, বৰপেটা অঞ্চলৰ দুখন মুছলমান গাৱঁত দুজন ফকিৰৰ দৰগা আছে। সম্ভৱতঃ এই দুই ঠাইতে খণ্ডকাৰ আৰ নবী ফকিৰক সমাধিস্থ কৰা হৈছিল। বিশেষ কাৰ্য্যোপলক্ষত এবাৰ হাজোলৈ যাওঁতে, তাৰ ওচৰৰ কলিতা কুছি (ৰজাবজাৰ) নামে ঠাইত চাৱাল ফকিৰৰ দৰগা আৰু তেওঁৰ বংশজাত মানুহ আছে বুলি শুনিবলৈ পালোঁ। তাতে আৰু এটা কিম্বদন্তী শুনিলোঁ যে ফকিৰৰ নাম কীৰ্ত্তনত যোগ দি আৰু সেই উৎসৱত "চিন্নি" (প্ৰসাদ) ভোজন কৰি তাৰ বহুত কলিতা মানুহ তেওঁৰ শিষ্য হৈছিল। এই জনা ফকিৰেও হেনো নিজ গুণৰ বলত কিছু ৰজাঘৰীয়া দান-বৃত্তি লাভ কৰিছিল।

অসমত মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে প্ৰচাৰ কৰা বৈষ্ণৱ ধৰ্ম্মৰ লগত এই ফকিৰ সকলৰ ধৰ্ম্মমতৰ বহুতো সাদৃশ্য দেখিবলৈ পোৱা যায়। বিশেষকৈ ৰাতি নাম-কীৰ্ত্তন কৰা কেৱলীয়া বৈষ্ণৱ সকলৰে সৈতে ফকিৰৰ শিষ্য সম্প্ৰদায়ৰ উপাসনা প্ৰণালী বেছিকৈ মিলে। বিশ্বত একমাত্ৰ ব্ৰহ্মই সত্য, তেৱেঁই শিৱ আৰু সুন্দৰ। জগতৰ সকলো মহাপুৰুষে এই একে সত্যকে সাধনাৰ দ্বাৰা উপলব্ধি কৰে। কিন্তু দেশ-কাল পাত্ৰ ভেদে মানৱ সমাজত এই সত্য প্ৰচাৰ কৰোঁতে নিয়ম প্ৰণালীৰ কিছু প্ৰভেদ ঘটে। জ্ঞানৰ তাৰতম্য অনুসৰি তাকে আমি ধৰ্ম্মৰ বিভিন্নতা বুলি ভাবোঁ। শ্ৰীশঙ্কৰদেৱে যেনেকৈ কীৰ্ত্তনত হৰিনামৰ মহিমা বিশদৰূপে বৰ্ণাইছে,—

নামে সে কৰিবে পৰম সিদ্ধি!
হৰিৰ নাম জগতৰ নিধি।

* * *

অন্যত্ৰ ধৰ্ম্মে নাহি অধিকাৰ।
জানিবা কলিত নামে সে সাৰ॥

* * *

যত তপো ধৰ্ম্ম বেদ বেদাঙ্গ।
হৰি নাম বিনে নাহি সুসঙ্গ॥

* * *

নামত শৰণ লোৱে বাৰেক।
নামে হৰে তাৰ যত পাতক॥ ইত্যাদি

আজান ফকিৰেও সেইদৰে কলিমা অৰ্থাৎ নামৰ গুণ বখানি ললিত সুৰত গাইছে—

"কলিমাহে বৰ ধন লাগে মনে ভাব।
আৱলে (প্ৰথমে) পয়দা হল কলিমাহে আগ॥
কলিমাহে বৰ ধন আনে নহয় তুল।
তমাম আনম (সংসাৰ) জুৰি উঠে কলিমাহে ফুল॥
কলিমাহে বৰ ধন দিন দুনিয়া পোহৰ।
ইছলামত উঠি চোৱা কফুতন চহৰ॥
কলিমাহে লোৱা মমিন (ভক্ত)
কপালৰে ভাগ্যে
ভাৰো নহয় সাঙ্গিও নহয়
চলে আগে আগে॥

* * * *

ভকত সকলক লগত লৈ এই ভাৱে আল্লাৰ নাম কীৰ্ত্তন কৰোঁতে কৰোঁতে নামোন্মত্ত ফকিৰৰ গীতত কলিমাৰ ৰস উথলি পৰিছে।

ৰসৰ ভঁৰাল পাই আজানে দিলে মেলি।
কলিমা বৰকতে চাহেব কাফেৰ নিলে ঠেলি॥

* * * *

জিগিৰ মঠিয়া মঠি জিগিৰকে গাওঁ।
তুমি আমি সঙ্গৰ ভাই সঙ্গে চলি যাওঁ॥

জীৱ জগৎ আৰু জড়-জগৎ বিস্তাৰ কৰি আকৰ্ষণ বিক্ষেপণৰ যি এটা ক্ৰিয়া বা স্পন্দন অবিৰাম গতিত চলিব লাগিছে, তাতেই বিশ্বৰ স্থিতি বা বিকাশ। এই ক্ৰিয়াৰ প্ৰকাৰ ভেদে জীৱ জগতত কোনোৱে হাঁহিছে; কোনোৱে কান্দিছে; কোনোৱে ক্ৰোধত অস্থিৰ হৈ কটাকটি মৰামৰি কৰিছে। এই স্পন্দনৰ মাজেদিয়েই সৃষ্টিৰ বৈচিত্ৰ্য নানা ভাৱে প্ৰকাশ হৈছে। ধৰ্ম্মপ্ৰাণ আজানে প্ৰকৃতিৰ এই বিচিত্ৰ স্পন্দনত একেটি মাথোন নামৰ ধ্বনি শুনিবলৈ পাইছে।

আবে (পানী) তযু নাম লয় শোভান আল্লা
খাকে (মাটি) তযু নাম লয়।
অময়া পুৰতে আল্লাৰ নিজা ঘৰ
উভটি দৰিয়া বয়॥

* * * *

ওঁঠে কাকত জিভাই কলম,
দাঁতে হৈ চিয়াহী বাকে।
ষষ্ঠি হাজাৰ ভক্ত সকলে,
একেটি নামতে খাটে॥

"ৰুচিনাং বৈচিত্ৰ্যাদৃজুকুটিল নানা পথজুষাং।
নৃণামেকো গম্যস্তমসি পয়সামৰ্ণব ইব॥"

অৰ্থাৎ নদ-নদীৰ জল ভিন ভিন দেশৰ মাজেদি বৈ অৱশেষত যেনেকৈ একেখন সমুদ্ৰতে পৰেগৈ, সেইদৰে নিজ নিজ ৰুচি অনুসৰি বিভিন্ন বাট ধৰিলেও অন্তত সকলো জীৱ তোমাৰ সমীপলৈকে যাব—তুমিয়েই সকলোৰে একমাত্ৰ গম্যস্থান। ফকিৰৰ সৰল গীততো এনে ভাবৰ প্ৰতিধ্বনি উঠিছে।

"উভটি দৰিয়া বব লাগিছে,
সোঁতৰ সীমা সংখ্যা নাই।

সকল চেৱা সোঁতা যাব তৱ পৰি
লৱ ভৱা সোঁতাত ঠাই ॥"

কিন্তু তিনি গুণময় দেহাক ৱজি মায়াৱ জালেৰে জীৱক বন্দী কৰি থোৱা হৈছে।

বালি চাহিৰ পৱা হস্তী সীমা কৰি
অতকে জনম পায়।
যেনে মৌ ভিমক ভিতৰি পকৱা
ওলাবৰে সন্ধি নাই ॥
সত্ত্ব ৱজ-তম তিনি ডোল কাটি
চত্ৰ ফালি জীউ যায়।"

* * * *

কাম্য আৰু নিষিদ্ধ বস্তু পৰিত্যাগ কৰি গুৰুৱ উপদেশ মতে নিত্য-নৈমিত্তিক আৰু সৎকৰ্ম্মানুষ্ঠানত সদায় অভ্যস্ত হৈ চলিলে, মানুহৰ চিত্তশুদ্ধি হয় আৰু তাৰ দ্বাৰা জীৱই তত্ত্বজ্ঞান লাভ কৰিব পাৰে। সেই দেখি ফকিৰে তেওঁৰ শিষ্যক পোণপ্ৰথমতে "লা ইলাহা ইল্লল্লাহ" অৰ্থাৎ একমাত্ৰ ব্ৰহ্মই সত্য, আন সকলো মিছা এই মূল মন্ত্ৰেৰে দীক্ষিত কৰি, বিধিবিহিত কৰ্ত্তব্য পালনৰ উপদেশ দিছে।

* * * *

মাহে ৰমজানৰ চি (ত্ৰিশ) ৰোজা
চি নিয়তক ধৰ।
অজুৰ চাৰি গোচলৰ চাৰি
তৈয়ম্মমৰ তিনটিক জান।
ফৰজ নামাজ সোঁতৰ বেকাত
ৰাতিক দিন কৰি মান ॥
টন (দেহা) হে কৰিবা, চাফ ঐ মনিন
জামাক কৰিবা পাক।
পাক ঠাইত নামাজ পঢ়িবা
চতৰ আওৱতক ঢাক ॥
মকমিল মফচিল জানিবা ছই ইমান
জানিবা তৌহি তিমান।
দিনত নেৰাখিবা কিবিণা কপত
কায়দা—আখেৰি চেলাম ॥

* * * *

হাঁচিৰ চেলামৰ জৱাবক দিবা
বেমাৰিৰ ঘৰলৈ যাবা।

জামাজা নামাজৰ শাৰীত থাৰা হবা
ফৰজ কেফায়তক পাবা ॥
মাৰা বাপেৰাৰ হুকুমত চলিবা
ওস্তাদৰ হুকুমক ধৰ।
আপোনাৰ বাদশাৰ হুকুম মানিবা
খোদাতৈ কৰিবা দৰ ॥
আখেৰতক লাগি এই ছয় খালৌ
হালাল হাৰামক জান।
মিছা বেপ্তাক অন্তৰ কৰিবা
তেৱেসে মুছলমান ॥"

তাৰ পাছত শ্ৰীকৃষ্ণই অৰ্জ্জুনক বুজনি দিয়াৰ দৰে—"ঈশ্বৰঃ সৰ্ব্বভূতানাং হৃদ্দেশেঽৰ্জ্জুন তিষ্ঠতি।" অৰ্থাৎ হে অৰ্জ্জুন, প্ৰাণী সমূহৰ হৃদয়ত পৰমেশ্বৰ অৱস্থিত হৈ আছে—এই ব্ৰহ্ম ভাব ফকিৰে তেওঁৰ শিষ্যৰ আগত ব্যক্ত কৰিছে—

"হক হওক মুৰৰ গায়ৰ চাৰিউ পৱনৰ খেলা।
তলৈ মুকৈ চোৰা মন কৰি সবাৰো ঘটে ঘটে আল্লা॥"

এনে ধৰণৰ আধ্যাত্মিক ভাবপূৰ্ণ আৰু মধুৰ ৰসাত্মক বহুতো গীত-পদ ৰচনা কৰি আজান ফকিৰে তেওঁৰ শিষ্য সকলৰ মাজত বিলাই দি গৈছে। সেই গীতবিলাক এতিয়াও উজনি অসমৰ মুছলমান ভক্তসকলৰ মুখত সিঁচতি হৈ পৰি আছে। তাক গোটাই প্ৰকাশ কৰিব পাৰিলে আমাৰ সাহিত্য ভঁৰালৰ এটি বহুমূলীয়া সম্পদ বাঢ়িব আৰু অসমীয়া জন সমাজত ইছলামৰ পৱিত্ৰ জ্যোতি বিকাশ হব বুলি বিশ্বাস হয়। আমি সৌভাগ্যক্ৰমে লগ পোৱা জনেক ভক্তৰ মুখত শুনা ছটিমান গীত পাঠক পাঠিকা সকলৰ আগত দাঙ্গি ধৰাৰ উদ্দেশ্যে, ফকিৰৰ ধৰ্ম্মমত আৰু তেওঁৰ জীৱনী সম্পৰ্কে যৎসামান্য আলচ কৰাত, যদি কিবা অনধিকাৰ চৰ্চ্চা হৈছে আৰু আমাৰ অজ্ঞানতাজনিত কোনো ভুল-ভ্ৰান্তি বা অপৰাধ ঘটিছে, তেন্তে সেইবাবে ইছলাম সম্প্ৰদায়ী সুধীসকলৰ ওচৰত আমি অতি সন্ত্ৰমেৰে ক্ষমা ভিক্ষা কৰিলোঁ।

গীত বিলাকত মাজে মাজে একোটা বিদেশী শব্দ আছে। সেইবোৰৰ অৰ্থ বিচাৰ কৰি এটা টোকাৰে সৈতে সংগৃহীত গীত কেইটি পিছত প্ৰকাশ কৰা হব।

শিশুৰ আহাৰ

[আগৰ সংখ্যাৰ পাছৰ পৱা]

—ডাঃ শ্ৰীযুত সন্তোষকুমাৰ চক্ৰৱৰ্ত্তী এম-বি

কৃত্ৰিম পিয়াহ খুওৱা শিশুৰ খাদ্যৰ তালিকা

বয়স	খুওৱাৰ সময়।	প্ৰতিদিনা পিনা মাখ পৰিমাণ	গাখীৰৰ পৰিমাণ আউন্স।	২৪ ঘণ্টাত কিমান বাৰ খুওৱা হব।
১ সপ্তাহ	আউন্সী ১ বাৰ, পুৱা ৬টা আৰু ৮টা	৭	১	২১
২ সপ্তাহ	আউন্সী ১ বাৰ, ৬টা, ৮টা আৰু ১০টা	৭	২	২১
৩ সপ্তাহ	পুৱা ৬টা আৰু ৮টা, ১০টা, ১২টা আৰু ২টা	৭	৩	২১
১ মাহ	উজনি উজনি সময়	৭	৪	২৪
২ মাহ	উজনি উজনি সময়	৬	৫	২১
৩ মাহ	উজনি উজনি সময়	৬	৬	২১
৪ মাহ	আধাবেলি ১ বাৰ, ৬টা, ৮টা আৰু ১০টা	৬	৭	২১
৫ মাহ	উজনি উজনি সময়	৬	৮	১৮
৬ মাহ	উজনি উজনি সময়	৬	৯	১৮
৭ মাহ	উজনি উজনি সময়	৬	১০	১৮
৮ মাহ	উজনি উজনি সময়	৬	১১	১৮
৯ মাহ	উজনি উজনি সময়	৬	১২	১৮
১০ মাহ	উজনি উজনি সময়	৬	১৩	১৮
১১ মাহ	উজনি উজনি সময়	৬	১৪	১৮
১২ মাহ	উজনি উজনি সময়	৬	১৫	১৮
১৩ মাহ	উজনি উজনি সময়	৬	১৬	১৮
১৪ মাহ	উজনি উজনি সময়	৬	১৭	১৮
১৫ মাহ	উজনি উজনি সময়	৬	১৮	১৮
১৬ মাহ	উজনি উজনি সময়	৬	১৯	১৮
১৭ মাহ	উজনি উজনি সময়	৬	২০	১৮
১৮ মাহ	উজনি উজনি সময়	৬	২১	১৮
১৯ মাহ	উজনি উজনি সময়	৬	২২	১৮
২০ মাহ	উজনি উজনি সময়	৬	২৩	১৮
২১ মাহ	উজনি উজনি সময়	৬	২৪	১৮
২২ মাহ	উজনি উজনি সময়	৬	২৫	১৮
২৩ মাহ	উজনি উজনি সময়	৬	২৬	১৮
২৪ মাহ	উজনি উজনি সময়	৬	২৭	১৮
২৫ মাহ	উজনি উজনি সময়	৬	২৮	১৮
২৬ মাহ	উজনি উজনি সময়	৬	২৯	১৮
২৭ মাহ	উজনি উজনি সময়	৬	৩০	১৮
২৮ মাহ	উজনি উজনি সময়	৬	৩১	১৮
২৯ মাহ	উজনি উজনি সময়	৬	৩২	১৮
৩০ মাহ	উজনি উজনি সময়	৬	৩৩	১৮
৩১ মাহ	উজনি উজনি সময়	৬	৩৪	১৮
৩২ মাহ	উজনি উজনি সময়	৬	৩৫	১৮
৩৩ মাহ	উজনি উজনি সময়	৬	৩৬	১৮
৩৪ মাহ	উজনি উজনি সময়	৬	৩৭	১৮
৩৫ মাহ	উজনি উজনি সময়	৬	৩৮	১৮
৩৬ মাহ	উজনি উজনি সময়	৬	৩৯	১৮
৩৭ মাহ	উজনি উজনি সময়	৬	৪০	১৮
৩৮ মাহ	উজনি উজনি সময়	৬	৪১	১৮
৩৯ মাহ	উজনি উজনি সময়	৬	৪২	১৮
৪০ মাহ	উজনি উজনি সময়	৬	৪৩	১৮
৪১ মাহ	উজনি উজনি সময়	৬	৪৪	১৮
৪২ মাহ	উজনি উজনি সময়	৬	৪৫	১৮
৪৩ মাহ	উজনি উজনি সময়	৬	৪৬	১৮
৪৪ মাহ	উজনি উজনি সময়	৬	৪৭	১৮
৪৫ মাহ	উজনি উজনি সময়	৬	৪৮	১৮
৪৬ মাহ	উজনি উজনি সময়	৬	৪৯	১৮
৪৭ মাহ	উজনি উজনি সময়	৬	৫০	১৮
৪৮ মাহ	উজনি উজনি সময়	৬	৫১	১৮
৪৯ মাহ	উজনি উজনি সময়	৬	৫২	১৮
৫০ মাহ	উজনি উজনি সময়	৬	৫৩	১৮
৫১ মাহ	উজনি উজনি সময়	৬	৫৪	১৮
৫২ মাহ	উজনি উজনি সময়	৬	৫৫	১৮

খাবলৈ দিয়াৰ সময়ত তাক ১০০° ডিগ্ৰীলৈ তপত কৰি লব নইবা কিলাকুটিৰ ওপৰৰ ফালে লগাই দি চালে যিমান তপত পোৱা যায়, সিমান খিনি উত্তাপলৈ তপত কৰিব। খাবলৈ দিয়াৰ সময়ত বটলটো কুৰি মিনিট সময় ধৰি থাকিব লাগে। যদি কুৰি মিনিটৰ পিছত বটলত গাখীৰ থাকে তেনেহলে তাক পেলাই দিব। তাৰ পিছৰ বাৰৰ খাদ্য ওপৰৰ তালিকাত দেখুৱা মতে নিৰ্দ্দিষ্ট সময়ত দিব। খুৱাৰ পিছত ভিতৰলৈ যোৱা গ্যাচ আদি ওলাই যাবলৈ কেঁচুৱাক ডিঙি আৰু ভৰিত হাত দি পথালি ভাবে ধৰিব; পিছত তাক 'ক্ৰিব' (crib) বা বিছনাত অন্ততঃ দুঘণ্টা শুৱাই থব লাগে। ব্যৱহাৰৰ পিছত বটলৰ কৃত্ৰিম স্তনৰ। (nipple) ভিতৰৰ ফাল বাহিৰ কৰি ওভোতাই দিব আৰু তাক উতলোৱা পানীত দি নিকাকৈ ধুই শুকান পাত্ৰত সাফৰ মাৰি থব। ব্যৱহৃত বটলত পানী ভৰাই জোকাৰি ধুই তাত পানী পূৰাই থব লাগে। পুনৰ গাখীৰ ভৰোৱাৰ আগেয়ে উত্তমৰূপে তপত পানীৰে তাক নিকাকৈ ধুই লব লাগে।

মাকৰ পিয়াহ খোৱা কেঁচুৱাক যি দৰে অতিৰিক্ত আহাৰ দিয়াৰ কথা উল্লেখ কৰা হৈছে; বটলৰ কৃত্ৰিম পিয়াহ খোৱা কেঁচুৱাকো সেইদৰে অতিৰিক্ত আহাৰ দিব লাগে। দাঁত ফুটিবলৈ ধৰিলে কেচুৱাক অলপ পাতল সেকা ৰুটী বা আন কোনো মুৰমুৰীয়া (Crisp) বস্তু খাবলৈ দিয়া ভাল। তেনে বস্তুই সোনকালে দাঁত ফুটি ওলোৱাত সহায় কৰে।

শিশুৰ ওজনৰ অনুপাতে আহাৰৰ ব্যৱস্থা কৰাৰ কথা আগতে কৈ আহিছোঁ। পৰিমিত স্বাস্থ্যৱান আৰু হৃষ্টপুষ্ট শিশুৰ শৰীৰৰ ওজন জন্মিবৰ সময়ত প্ৰায় /৩ সেৰ (৬ পাঃ)। য়ুৰোপত নব-জাত শিশুৰ দেহৰ ওজন গড় হিচাবে /৩॥ সেৰ (৭ পাঃ) ধৰা হয়। আমাৰ দেশত প্ৰাপ্তবয়স্ক লৰাৰ উচ্চতা য়ুৰোপৰ তুলনাত কম; সেই বাবে সকলো বয়সতে আমাৰ দেশৰ লৰাৰ ওজন পাশ্চাত্য দেশৰ লৰাৰ ওজনতকৈ কম। ওপজোতে শিশুৰ যি ওজন থাকে ছমহীয়া হলে সেই ওজন দুগুণ হয়। শিশু ১১।১২ মহীয়া হলে তাৰ দেহৰ ওজন ওপজা সময়ৰ ওজনৰ তিনি গুণ হোৱা উচিত।

শিশুৰ খাদ্যৰ লগত কোনো সম্পৰ্ক নাথাকিলেও এটা কথা ইয়াত উল্লেখ কৰিব লগীয়া আছে। শিশুৰ নিয়মিত বৃদ্ধিৰ কাৰণে এই কথা বিশেষ লাগতিয়াল; অথচ আমি ইয়াক সততে আওকাণ কৰোঁহঁক। ঘাম ওলোৱাকৈ শিশুক কানি কাপোৰ দিব নালাগে। অধিক কাপোৰ লোৱা শিশু ঘামে। বৰ গৰমৰ দিনত এখন সৰু পচৰা (band) আৰু এখন 'ডায়াপাৰেই' (diaper) কেচুৱাৰ পক্ষে যথেষ্ট। গধূলি ছ বজাৰ আহাৰৰ আগেয়ে গাৰ কাপোৰ সোলোকাই শুৱাবৰ কাৰবাৰ কৰিব লাগে। ইয়াৰ পিছত শিশুৰে সৈতে ধেমালি নকৰি ততালিকে শুৱাই থব লাগে।

নিয়ম মতে খুৱাৰ ওপৰতে বিশেষকৈ শিশুৰ শৰীৰৰ পুষ্টিসাধন নিৰ্ভৰ কৰে। য়ুৰোপ আমেৰিকা আদি পাশ্চাত্য দেশতকৈ আমাৰ দেশত শিশুৰ মৃত্যু-সংখ্যা চাৰি গুণ সৰহ। কলিকতাৰ নিচিনা ডাঙৰ ডাঙৰ চহৰত বছৰি হাজাৰ কৰা ৩০০ শিশু মৃত্যু মুখত পৰে। কিন্তু নিউয়ৰ্কত শিশুৰ মৃত্যুৰ হাৰ হাজাৰ কৰা প্ৰায় ৭৫ জন। আমাৰ দেশৰ মৃত্যু হাৰৰ শতকৰা ২০ জন পেটচলা, তেজহাগনি, অন্ত্ৰদাহ (Enteritis) আদি পেটৰ বেমাৰত মৰে। এইবিলাক নৰিয়া সাধাৰণতঃ শিশুক অনিয়মীয়াকৈ খুৱাৰ পৰাই হয়। মই বিবেচনা কৰোঁ আমাৰ দেশৰ বহুত মানুহে শিশুক নিয়ম মতে আহাৰ যোগাব নাজানে। তেওঁলোকৰ মতে বাৰ্লি আৰু ছটিফুডৰ পানী মিহলোৱা এৰাঁ গাখীৰেই শিশুৰ উপযুক্ত আহাৰ। এই বাৰ্লি বা ছটিফুডৰ পানী শ্বেতসাৰ-প্ৰধান (Starchy) বস্তু। দাঁত নগজিলে আৰু শ্বেতসাৰ (Starch) জীৰ্ণ নিয়াব পৰা বস্তু (Enzymes) উৎপন্ন নহলে শিশুৱে তাক হজম কৰিব নোৱাৰে। এতেকে সেই বাৰ্লিৰ পানীয়ে কেৱল পেটৰ অসুখহে কৰে আৰু তাৰ পৰাই শিশুৰ নৰিয়া হয়।

১২ মাহৰপৰা ২৪ মাহলৈ শিশুৰ খাদ্য

১২ মাহৰ পৰা ২৪ মাহলৈকে এই খিনি সময়ৰ ভিতৰত, শিশুৰ তিনিমাহৰ আগৰ প্ৰধান খাদ্য গাখীৰ

আৰু লঘুপাকী মিহি চাউলৰ ভাতৰ উপৰিও তাক আন খাদ্য দিব লাগে। শিশু নিয়ম মতে বাঢ়িবলৈ, তাৰ দৈনন্দিন আহাৰৰ লগত বাৰ্লি, গম ওটমিল আৰু যথেষ্ট পৰিমাণে কেঁচা শাক-পাচলিও যোগ দিব লাগে। এই সময়তে তাৰ মাংসপেশী আৰু হাড়বিলাক ডাঙৰ হবলৈ ধৰে। গাখীৰতকৈ গুৰুপাকী প্ৰ'টীন খাদ্য জীৰ্ণ নিয়াব পৰা ফাৰ্মেণ্ট্ (ferments) নামৰ বস্তু এই সময়তে পাক যন্ত্ৰত উৎপত্তি হয়। এই বোৰৰ কাৰণে কণি খোৱাৰ প্ৰয়োজন হয়। ১৮ মাহৰ পিছত শিশুক চৰ্ব্বিশূন্য কুকুৰা-পোৱালিৰ মঙ্গহ দিব লাগে। গাজৰ, স্পিনেজ, বিলাতী বেঙ্গেনা, বীট বা বিলাতী পালেং পিয়াজ, লেটিছ, ফুল কবিৰ ফুলভাগ, উৰহী, মটৰ প্ৰভৃতি কেঁচা শাক যথেষ্ট পৰিমাণে খাবলৈ দিব লাগে। বেছিকৈ নহলেও নিতৌ এবাৰকৈ দিয়া বাঞ্ছনীয়। এই শাক-পাচলি ভালকৈ বান্ধি চাকনিৰে চাকি দিব নাইবা মিহিকৈ পিটিকি ভাঙ্গি দিব। তাৰ লগত অকণমান লোণ আৰু মাখন সানিলে সিয়ো লৰাৰ পক্ষে উত্তম মছলা হয়। এই সময়ৰ খাদ্য তালিকাত ফল (সেকি লোৱা ফল হলেই ভাল) যোগ দিব পাৰিলেই ভাল। নিৰ্দ্দিষ্ট সময়তহে শিশুৱে আহাৰ খাব আৰু দুসাজৰ মাজ সময়ত তাক একো খাবলৈ নিদিব। বেলি মাৰ যোৱাৰ পিছত শিশুক খাবলৈ দিয়া বেয়া। এই সময়ত খোৱা আহাৰ শিশুৱে জীৰ্ণ নিয়াব নোৱাৰে। সেই অজীৰ্ণ বস্তু পেটত পচি (fermenting) শিশুক ৰুগীয়া কৰে। এই সময়ত তলত দিয়া অনুসাৰে শিশুক আহাৰ দিয়াই ভাল বুলি বিবেচনা কৰোঁ।

ৰাতিপুৱা ৬ বজাৰ পৰা ৭ বজাৰ ভিতৰত গাখীৰ এক পিয়লা (প্ৰায় এপোৱা পৰিমাণৰ)

৯ বজাত সুমথিৰাৰ ৰস বা বিলাতী বেঙেনাৰ ৰস ডাঙৰ চামুচেৰে এচামুচৰপৰা তিনি চামুচলৈকে।

১০ বজাত—ডাঙৰ চামুচেৰে (Table-spoonful) এইৰপৰা চাৰি চামুচলৈ ভাত বা সিজোৱা বাৰ্লি। বাৰ্লি দিলে তাত অলপ উতলোৱা গাখীৰো দিব।

গাখীৰ—বাৰ্লিত দিয়াৰে সৈতে এপোৱাৰ পৰা আৰ্সেৰলৈকে শিশুক গাখীৰ দিব।

আবেলি দুই বজা মানত শ্বেতসাৰ প্ৰধান আহাৰ—পিটিকি মিহি কৰা আলু সিজোৱা। ডাঙৰ চামুচেৰে ২।১ চামুচ আঞ্জাৰ জোল বা অলপ মাখনত কোমলাই লোৱা মেকাৰণি (macaroni)। কেঁচাশাক—ডাঙৰ চামুচেৰে ২।১ চামুচ। প্ৰ'টীন বা অন্নসাৰ প্ৰধান আহাৰ্য্য—সপ্তাহত দুই তিনিবাৰকৈ কণি। কণি পানীত সিজোৱা নাইবা তপত পানীত ভাঙি দি সিজোৱা (Poached) হব লাগে। ভজা কণি দিয়া নিষিদ্ধ। মাংস (১৮ মাহৰ পিছত) চৰ্ব্বি নোহোৱাকৈ ৰন্ধা মাংস ডাঙৰ চামুচেৰে এচামুচ।

ফল—ডাঙৰ চামুচেৰে ২।১ চামুচ।

খোৱা বস্তু শিশুক সৰুৰেপৰা ভালদৰে চোবাই খাবলৈ শিকাব লাগে। আহাৰৰ লগত পানী খাব; কিন্তু খোৱাবস্তু ঠেলি ভিতৰ কৰা উদ্দেশ্যত পানী খোৱা অযুগুত।

গধূলি ৬ বজাত গাখীৰ আৱশ্যক অনুসৰি এপিয়লা বা দুপিয়লা।

মাখন সনা পাতল ৰুটী এচকলা।

শস্য-খাদ্য (Cereals)—ভাত, বাৰ্লি আদি ডাঙৰ চামুচেৰে ২।১ চামুচ।

ফল—সিজোৱা ফল ডাঙৰ চামুচেৰে এচামুচ।

গধূলিৰ আহাৰৰ আধা ঘণ্টাৰ ভিতৰত শিশুক শোৱাই থব লাগে আৰু পিছত তাক জোকাব নালাগে।

যদি শিশুৰ কোষ্ঠ পৰিষ্কাৰ নহয় তেন্তে ফল, শাক-পাচলি নাইবা শস্য খাদ্যৰ (Cereals) পৰিমাণ বঢ়াব লাগে। কিন্তু তাৰ শৌচ পনীয়া হলে ফল আৰু শাক পাচলিৰ পৰিমাণ কম কৰিব লাগে। দুসাজ আহাৰৰ মাজত তাক একো খাবলৈ নিদিব।

দুই আৰু ছ বছৰৰ ভিতৰত শিশুৰ খোৱা বস্তু ইয়াৰ পূৰ্ব্বৰ তালিকাৰ দৰেই থাকিব; কিন্তু তাকে পৰিমাণত আগতকৈ অলপ বঢ়াব। শিশুৱে যথেষ্ট শক্তি লাভ কৰিবলৈ, শস্যপ্ৰধান খাদ্য (Cereals), ৰুটী, কেঁচা শাক-পাচলি আৰু ফল খোৱা যুগুত। তাৰ মাংসপেশী বিলাক বাঢ়িবলৈ মাছ মঙ্গহ আৰু কণি খোৱা যুগুত। শিশুৱে এই সময়ত ৰাতিপুৱা, দুপৰীয়া আৰু গধূলি এই তিনিবাৰ তিনি সাজ খোৱা অভ্যাস কৰা যুগুত। যদি খাদ্যত

কোনো ব্যাঘাত নহয় তেনেহলে আবেলি শুই উঠাৰ পিছত এপিয়লা গাখীৰ দিব পাৰি।

শিশুক খোৱা বস্তু ভালকৈ চোবাই আৰু লাহে লাহে খাবলৈ শিকাব। খোৱা বস্তু ভিতৰলৈ ঠেলি নিয়া উদ্দেশ্যত গাখীৰ বা পানী খাব নালাগে। প্ৰতি সাজ আহাৰৰ লগত তাক একো গিলাচ পানী খাবলৈ দিব লাগে। দুসাজ আহাৰৰ মাজত শিশুই পানী খোৱা অভ্যাস কৰিব। কিন্তু শুবৰ সময়ত কদাপি পানী নাখাব। প্ৰতি সাজ খোৱাৰ আগত আৰু পিছত শিশুক ভাল দৰে হাত মুখ আদি ধুবলৈ শিকাব।

খোৱা বস্তু ভালদৰে ৰান্ধি তপতে তপতে নিকা থালত সাজি দিব। মাখিলৈ সাৱধান হব। এটা মাখিয়ে খোৱা বস্তুৰ ওপৰত পৰি তাক দূষিত কৰিব পাৰে আৰু তাৰে পৰাই টাইফইড্, হাইজা আদি বিষম সংক্ৰামক ব্যাধিৰ সৃষ্টি হব পাৰে। শিশুক গধূলি সাত বজাত শুৱাই থব।

এই সময়ত শিশুক কি কি বস্তু খাবলৈ দিয়া ভাল নহয়, এইখিনিতে তাক দেখুৱা অপ্ৰাসঙ্গিক নহব।

সেইবোৰ তলত দিয়া হ'ল :—

১। চাহ, কফি আৰু ছোডা পানী (বিলাতী পানী)

২। কোনো ৰকমৰ ভজা বস্তু।

৩। বেছি চৰ্ব্বি থকা বস্তু।

৪। তিয়হ-বাঙি।

৫। বাদাম, নাৰিকল আদি সিদ্ধ নকৰা টান ফল।

৬। অতি অধিক পৰিমাণে গাখীৰ। এসেৰতকৈ সৰহ গাখীৰ কদাপি নুখুৱাব।

ছ বছৰৰ পৰা বাৰ বছৰলৈকে শিশুৰ আহাৰ—

চালুকীয়া অৱস্থাত শিশুৰ খাদ্য নিৰূপণ কৰাত আমি যি যি বিষয়লৈ লক্ষ্য কৰোঁ, ৬ বছৰৰ পৰা ১২ বছৰ বয়সলৈকে আহাৰ নিৰূপণ কৰোঁতে সেই সেই বিষয়ৰ বাহিৰে নতুন কোনো বিষয়েই আমাৰ আলোচনাৰ ভিতৰত নপৰে। এইখিনি সময়ৰ বাবেও আমি এই সম্বন্ধে পূৰ্ব্ব-নিৰ্দ্ধাৰিত তথ্যকে গ্ৰহণ কৰিব পাৰোঁ। এই সময়তো শিশুৱে দিনত তিনি সাজ খাব আৰু আগৰ নিচিনা ফল-মূল, শাক-পাচলি ৰুটী-মাখন, মঙ্গহ কণি আদিয়েই তাৰ প্ৰধান আহাৰ হব। এইবিলাক বস্তু নিয়ম মতে প্ৰচুৰ পৰিমাণে খালেই শিশু সবল আৰু হৃষ্টপুষ্ট হব। শিশুৰ নিয়মিত পুষ্টি সাধনৰ কাৰণে যি পৰিমাণে গাখীৰ দিলে ভাল হয়, সেই পৰিমাণে দিয়াৰ ব্যৱস্থা কৰিব।

বোধ কৰো ৰাতিপুৱাই লৰাক এপিয়লা গাখীৰ দিয়া ভাল। ৰাতিপুৱাৰ গাখীৰৰ পিছত দিনত তাক তিনিবাৰ খাবলৈ দিব। অৱস্থা ভেদে আৰু ব্যক্তিগত ৰুচিভেদে প্ৰতি সাজে ভিন্ ভিন্ বস্তু সলাই দিব। সাজে পতি খাদ্যৰ সাল-সলনি নহলে তাত খাওঁতাৰ ৰুচি নবহে। এই বিষয়ে তলত দিয়া তালিকাটি কাৰ্য্যকৰী হব পাৰে।

ৰাতি পুৱাৰ আহাৰ।

শস্যপ্ৰধান—বাৰ্লি, পৰলীয়া চাউলৰ ভাত, গম। এইবিলাক খাওঁতাৰ ৰুচি অনুসৰি ৰান্ধিব। আৱশ্যক হলে তাত গাখীৰো দিব পাৰি।

পাক কৰা ফল—আপেল, কল আৰু অমিতা আদি।

তাজা ফল—সুমথিৰা, মাটিকঁঠাল, আঙ্গুৰ, বগৰী, তৰমুজ, আম, আতা, খেজুৰ ইত্যাদি আৰু মাখন সানি সেকা ৰুটী।

দুপৰীয়াৰ আহাৰ

শ্বেত-সাৰ প্ৰধান খাদ্য (Starch) আলু (পোৱা বা সিজোৱা ; কিন্তু ভজা আলু নিদিব) আৰু ভাত। কেঁচা শাক পাচলি—যেই সেই শাক পাচলি সৰহকৈ খাব। শাক পাচলি সিজাই বা ভপাই (Steamed) খাব ; কিন্তু কেতিয়াও নাভাজিব। আঞ্জা ৰান্ধিবৰ আগেয়ে শাক পাচলি ভাজি ললে সি অজীৰ্ণ হয় ; সেই বাবে তেনে প্ৰণালী পৰিহাৰ্য্য। প্ৰটীন (Protein) বা অন্নসাৰ প্ৰধান খাদ্য।—মঙ্গহ, ভেড়াৰ মঙ্গহ, কুকুৰা-পোৱালিৰ মঙ্গহ নাইবা নিতৌ এটাকৈ তাজা মাছ, (এই মাছ বা মঙ্গহ কেৱল ৰান্ধি খুৱাব ; কিন্তু কেতিয়াও ভাজি নুখুৱাব।) ডালি বা ছানা।

ৰুটী—যাতত ভঙা, নিকা নকৰা গোটা গমৰ আটাৰ ৰুটী মাখন সানি খাবলৈ দিব।

কণি বা মাছ—(যদি ইয়াৰ আগৰ সাজত দিয়া নহয়)।

এই প্ৰবন্ধৰ উপসংহাৰৰ আগতে, কি কি মূল তথ্যৰ ওপৰত নিৰ্ভৰ কৰি শিশুৰ খাদ্য নিৰ্দ্ধাৰিত হৈছে তাৰ পুনৰালোচনা কৰা বোধ কৰোঁ অপ্ৰাসঙ্গিক নহব। কিন্তু শিশুৰ কোনো বিশেষ অৱস্থাত খাদ্যৰ সাধাৰণ নিয়মৰ তাৰতম্যও হব পাৰে ; তেনে অৱস্থাত খাদ্য সম্বন্ধে অভিজ্ঞ লোকৰ পৰামৰ্শ লোৱা উচিত। শিশুৰ দেহৰ বৃদ্ধি আৰু পুষ্টি সাধনৰ কাৰণে, যি যি মূলবস্তু নাইবা উপাদানেৰে মানৱ দেহ গঠিত হয় সেইবিলাক শৰীৰে বাহিৰৰ পৰা পাব লাগে। ওপজোতে সেই উপাদান সমূহ শিশুৰ শৰীৰত দেখা যায়। শিশুৱে এই বিলাক মাকৰ পৰা লাভ কৰে। এই উপাদান বিলাকৰ পৰাই হাড়, দাঁত তেজ, মাংসপেশী আৰু দেহৰ জলীয় ভাগ নিৰ্ম্মিত হয়।

অসমীয়া মানুহৰ যি প্ৰধান আহাৰ তাত কে'লচিয়াম (Calcium) বা চূণ-সাৰ নামক খনিজ পদাৰ্থৰ বৰ অভাৱ। এই খনিজ পদাৰ্থই হাড় আৰু দাঁত গঠন কৰে। আমি যথেষ্ট পৰিমাণে নিকা নকৰা শস্য, তাজা ফল আৰু কেঁচা শাক পাচলি নাখাওঁ দেখি আমাৰ খাদ্যত তেজৰ কণিকা প্ৰস্তুত কৰিব পৰা লৌহ (iron) নামক খনিজ পদাৰ্থৰ বৰ অভাৱ। নিকা চাউল আৰু নিকা বগা আটা ব্যৱহাৰ কৰাৰ পৰাই আমি সেই পদাৰ্থৰপৰা বঞ্চিত হওঁহঁক। আমাৰ জীৱন ৰক্ষা আৰু শৰীৰৰ পুষ্টি সাধনৰ বাবে আন যিটো বস্তুৰ আৱশ্যক তাক ভাইটামিন বোলে। কেঁচা শাক-পাচলি আৰু ফলমূলত এই বস্তুটো প্ৰচুৰ পৰিমাণে থাকে। সেইবাবে শাক-পাচলি আৰু ফল-মূল নিসিজোৱাকৈ খোৱাই ভাল ; কিয়নো ভাইটামিন এনে আলসুৱা পদাৰ্থ যে, কোনো বস্তু ৰান্ধিলে তাৰ ভাইটামিন নষ্ট হৈ যায়। সেইবাবে সেইবোৰ কেঁচাই কেঁচাই খোৱা অভ্যাস কৰা যুগুত।

এৰাঁ গাখীৰ, মাখন, গাখীৰৰ চামনি, কণি, নিকা নকৰা শস্য আৰু তাজা ফল মূলত, ফচ্‌ফৰাচ, কে'লচিয়াম, লৌহ আৰু ভাইটামিন যথেষ্ট পৰিমাণে থাকে। যি বিলাক পাচলি মাটিৰ তলত হয় তাতকৈ শাকত ভাইটামিন, কেলচিয়ম আৰু লৌহ সৰহকৈ থাকে। সেইদৰে চাউল, গম আদি শস্যৰ বগা-অংশৰ ঠিক ওপৰতে যি পৰলীয়া ঢাকনিখন থাকে তাতো ভাইটামিন আদি লাগতিয়াল পদাৰ্থবিলাক পোৱা যায়। যদি চাউল বা গম বৰকৈ নিকা কৰা হয় নাইবা গুৰি কৰা হয় তেনেহলে তাৰ পৰা সেই বস্তুবোৰ উঠি যায়।

ঘিউ, শাক-পাচলি আৰু তেল আদিতকৈ মাখন আৰু তপত নকৰা গাখীৰৰ পৰা তোলা চামনিত সৰহ ভাইটামিন থাকে।

শিশুৰ কাৰণে অতি আৱশ্যকীয় খাদ্য—নতুন শাক-পাচলি, নিকা নকৰা চাউল, গম আদি শস্য, নতুন ফল আৰু দিনে এসেৰকৈ গাখীৰ। শিশুৰ নিয়মিত বৃদ্ধি আৰু পুষ্টিসাধনৰ বাবে এই বিলাকেই লাগতিয়াল ভাইটামিন আৰু খনিজ পদাৰ্থ (minerals) দান কৰে। এই আহাৰৰ অভাৱত শিশু নিয়ম মতে বাঢ়িব নোৱাৰে আৰু তাক সহজে ৰোগে আক্ৰমণ কৰিব পাৰে। ই অতি দুখৰ বিষয় যে আমাৰ দেশত পৰমেশ্বৰৰ অনুগ্ৰহত যথেষ্ট পৰিমাণে শাক পাচলি আৰু নানা তৰহৰ তাজা ফলমূল উৎপন্ন হোৱা সত্বেও সেইবোৰৰ সদ্ব্যৱহাৰ নকৰাৰ বাবে আমি বলহীন আৰু নানা ৰোগত জীয়াতু ভুঞ্জোঁ। আমি যি শাক পাচলি খাওঁ তাক এইদৰে ৰন্ধা হয় যে তাৰ পৰা আমি সম্পূৰ্ণ উপকাৰ নাপাওঁহঁক। আমাৰ ঘৰৰ গৃহিণী সকলক খোৱা বস্তু—বিশেষকৈ শাক-পাচলি আদি এইদৰে ৰান্ধিবলৈ শিকাব লাগে যে যাতে আমাৰ সেইবোৰত খৰচ কৰা ধন বিফলে নাযায়।

এই কথা মনত ৰাখিব লাগে যে আঠৰ পৰা বাৰ বছৰলৈকে এইখিনি সময় শিশুৰ সুস্বাস্থ্য আৰু পুষ্টিলাভৰ উপযুক্ত সময়। শিশুৰ এই সময়ৰ স্বাস্থ্য আৰু পুষ্টিলাভৰ ওপৰতে ভবিষ্যত স্বাস্থ্য নিৰ্ভৰ কৰে। সেইবাবে এইখিনি সময়ত তাৰ স্বাস্থ্যৰ বাবে বিশেষ যতন লোৱা যুগুত।

শিশুৰ খাদ্য সম্বন্ধে তলত মোটামুটিকৈ কিঞ্চিৎ আভাস দি মোৰ প্ৰবন্ধ সামৰিম।

নিষিদ্ধ খাদ্য—

১। চাহ, কফি, ক'কো—এইবোৰ উত্তেজক বস্তু আৰু এই বিলাকে ভোক মাৰে।

২। মোৰব্বা, সাঁচি বখা পুৰাণি ফল (Preserved fruits), নানা বিধ মিঠা বস্তুৰে কৰা পিঠা, এইবিলাকে সাধাৰণ খাদ্যৰ প্ৰতি কচি কমায়।

৩। কোনো ভজা বস্তু, অধিক চৰ্ব্বি থকা বস্তু—এইবোৰ জীণ নিয়া টান আৰু এইবিলাকে পেটত পচন ক্ৰিয়াৰ (farmentation) সূত্ৰপাত কৰে।

৪। ছনাজ খোৱাৰ মাজত কোনো মিঠাই। মিঠায়ে ভোক কমায় আৰু সি শৰীৰৰ পুষ্টিসাধনৰ সহায়ক নহয়।

উপযুক্ত খাদ্য

১। নিতৌ অলপ পৰিমাণে টান বস্তু। টান বস্তু দাঁতলৈ ভাল।

২। নতুন তাজা শাক-পাচলি আৰু ফলমূল। এইবোৰ সিদ্ধালে বহুত ভাইটামিন নষ্ট হয়।

৩। নিতৌ এবাঁ গাখীৰ, শাক-পাচলি আৰু চাউল গম আদি শস্য-খাদ্য। এইবোৰে শিশুৰ শৰীৰৰ আৱশ্যকীয় উপাদান দান কৰে।

৪। শিশুৰ স্বাস্থ্যৰ পক্ষে হিতকৰ, পুষ্টিকৰ অথচ সৰল খাদ্য খাবলৈ শিকাব লাগে।

স্বৰ্গতত্ত্ব আৰু নৰকতত্ত্ব বা যাম্য লীলা

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্ৰীযুত পদ্মেশ্বৰ গগৈ বি-এ,

"ভূ" শব্দই পৃথিবী বা ভাৰতবৰ্ষ বুজায়। বেদৰ অনেক ঠাইতে "পৃথিবী" শব্দ ভাৰতবৰ্ষ অৰ্থত প্ৰযুক্ত হৈছে।

বেদত কৈছে যে যি ঠাইত ইন্দ্ৰ, বৰুণ, মিত্ৰ প্ৰভৃতি দেৱতাবিলাকে ঘৰ সাজি বাস কৰিছিল আৰু পিছত সেই স্বৰ্গৰ পৰা মনুষ্যলোকলৈ বা ভাৰতলৈ আহিছিল আমি সেই বীৰবৃন্দ ইলাবৃতবৰ্ষক পূজা কৰিছোঁ।

স্বৰ্গৰ ভৌম প্ৰমাণ বিষয়ে আলোচনা আৰু তাৰ

যেনে, "ইমাং সুবীৰাম্ যজামহে। যস্মিন্ ইন্দ্ৰো বৰুণঃ মিত্ৰো অৰ্যমা দেবা ওকাংসি চক্ৰিৰে"—(ঋক্‌বেদ)

মহৰ্ষি কপিলে তেওঁৰ মাতা দেৱহুতিক সম্বোধন কৰি কৈছিল, "মাতা এই নৰক আৰু স্বৰ্গৰ স্থানবিলাক ঐহিক অৰ্থাৎ পৃথিবীতে আছে, কদাপি আকাশস্থ বা শূন্যস্থ নহয়, এইটো সকলোৱে কয়।

"ঐহিকো নৰকঃ স্বৰ্গ ইতি মাত প্ৰচক্ষতে,"—(ভাগবত)

মহৰ্ষি বায়ুরে কৈছে মহাৰাজ সগৰে স্বৰ্গত জামদগ্নিৰ ওচৰত আগ্নেয়াস্ত্ৰবিলাক শিকি আহি পৃথিবীত বা ভাৰতবৰ্ষত তাৰ দ্বাৰা হৈহয়, তালজঙ্ঘ প্ৰভৃতি ক্ষত্ৰিয়বিলাক বিনষ্ট কৰে। যেনে :—

"আগ্নেয়াস্ত্ৰাং লব্ধাতু ভার্গবাৎ সগৰো নৃপঃ।
জঘান পৃথিবীং গত্বা তালজঙ্ঘান্ মহৈহয়ান্" ॥
(বায়ু পুৰাণ)

তেওঁ আন এঠাইত কৈছে যে স্বৰ্গ সমুদায় ভৌম আৰু উত্তম গুণযুক্ত।

মহাত্মা বিষ্ণুয়ে কৈছে যে ইন্দ্ৰাদি দেৱতাবিলাকৰ স্বৰ্গস্থ আবাস বিলাক ভৌম—"ভৌমা হ্যেতে স্মৃতাঃ স্বৰ্গাঃ"—

(বিষ্ণু পুৰাণ)

হিমালয় পত্নী মেনকাই তেওঁৰ কন্যা গৌৰীক কৈছিল 'গৌৰি, তুমি তপস্যাৰ নিমিত্তে কিয় দূৰলৈ গৈছা? তোমাৰ পিতৃদেৱে অধিকাৰ কৰা এই প্ৰদেশেই দেৱভূমি—তপস্যাৰ প্ৰকৃষ্ট স্থান।

যেনে,—"পিতৃঃ প্ৰদেশাস্তব দেবভূময়ঃ।"—(কুমাৰসম্ভৱ)

মাৰ্কণ্ডেয় পুৰাণত কৈছে—'হে ব্ৰাহ্মণতিলক, জল বায়ু অৰ্থাৎ স্বাস্থ্যাদি গুণৰ দ্বাৰাই এই ভৌম স্বৰ্গশ্ৰেষ্ঠ—"এতে ভৌমা দ্বিজশ্ৰেষ্ঠ স্বৰ্গাঃ সৰ্ব্বগুণাধিকাঃ"।

আচাৰ্য্য সায়ণে অথৰ্ব্ববেদৰ ভাষ্যৰ এঠাইত স্পষ্টকৈ কৈছে যে, সকলোতে এই মত প্ৰসিদ্ধ যে হিমাচলৰ শীৰ্ষদেশেই স্বৰ্গভূমি যেনে—"হিমবচ্ছিৰঃ প্ৰদেশ এব স্বৰ্গভূমিৰীতি প্ৰসিদ্ধিঃ" আৰু আচাৰ্য্য ভাস্কৰেও কৈছে যে দেৱসকল সিদ্ধপুৰুষক আৰু ঋষিসকল মেৰু (আল্টাই) পৰ্ব্বতত বাস কৰে আৰু ঊৰ্দ্ধ অৰ্থাৎ বাড়ুবানলযুক্ত সমুদ্ৰময় জলাভূমিকাপ নৰক স্থান বিলাকত দৈত্য আৰু দানৱবিলাক বাস কৰিছিল :—"বসন্তি মেৰৌ সুৰসিদ্ধসঙ্ঘা ঊৰ্দ্ধে চ সৰ্দ্ধে নৰকা সদৈত্যাঃ"—(সিদ্ধান্ত শিৰোমণি)

আকৌ ছান্দোগ্য উপনিষদত লিখিছে "স্বৰিতি সামভাঃ" অৰ্থাৎ সামবেদ এই স্বৰ্গত প্ৰণীত হৈছিল।

মহৰি বায়ুয়ে কৈছে যে 'দক্ষিণে ভাৰতৰ পৰা উত্তৰ ব্ৰহ্মলোক বা উত্তৰ ছাইবেৰিয়া পৰ্য্যন্ত বিস্তৃত পথৰ নাম দেৱযান আৰু স্বৰবৰ্ত্ম।" এই পথ বিষ্ণুৰ বৈকুণ্ঠ বা গোলকৰ বা তপোলোকৰ ভিতৰেদি ব্ৰহ্মলোকলৈ গৈছে। সেই কাৰণেই বৈকুণ্ঠৰ বৰ্ণা মহাত্মা বিষ্ণুৰ বা হৰিক ব্ৰাহ্মণ গ্ৰন্থত ব্ৰহ্মলোকৰ "ধাৰপাল" কপে বৰ্ণনা কৰিছে। উত্তৰে ব্ৰহ্মলোকৰ পৰা দক্ষিণে ভাৰত পৰ্য্যন্ত বিস্তৃত পথৰ নাম "পিতৃযান পথ" যেনে—

দেবযান আৰু দেবযান পথ

পিতৃযান পথ ভৌম প্ৰমাণ

"পিতৃ যাং দেৱতানাঞ্চ পন্থানৌ দক্ষিণোত্তৰৌ"
(বায়ু পুৰাণ)

আচাৰ্য্য শঙ্কৰে ছান্দোগ্য উপনিষদ্ ভাষ্যত এই পথ সম্বন্ধে কৈছে যে "এব দেৱযানঃ পন্থা সত্যলোকাবসানো নাস্তাং বহিঃ।" অৰ্থাৎ এই দেৱযান পথ ভাৰতৰ পৰা ব্ৰহ্মলোক বা উত্তৰ ছাইবেৰিয়া পৰ্য্যন্ত সম্প্ৰসাৰিত, ই অন্তৰ বাহিৰ হৈ যোৱা নাই, অৰ্থাৎ পৃথিবী বা ভূমি এবি কদাপি

শূন্যগত হোৱা নাই। এজন বৈদিক ঋষিয়ে কৈছে মই শুনিছোঁ যে পিতৃলোকবাসী ইন্দ্ৰাদি দেৱতাবিলাক, ব্ৰহ্মলোকবাসী ব্ৰহ্মাদি দেৱতাবিলাক আৰু মৰ্ত্যলোকবাসী বা ভাৰতবাসী মনুষ্যবিলাক এই ইন্দ্ৰাদি স্বৰ্গলোকৰ প্ৰধান ছটি বাটেদি অহা যোৱা কৰিছিল—"দেৱস্তী অশৃণ্বম্ পিতৃণামহং দেৱানামুত মৰ্ত্যানাম্। তাভ্যামিদং বিশ্বমেজৎ সমেতি যদন্তৰা পিতৰম্ মাতৰঞ্চ।"—(যজু) তাৰ ভিতৰত এটিৰ নাম দেৱযান বা সুৰবৰ্ত্ম আৰু আনটোৰ নাম পিতৃযান। কেৱল পিতৃগণ বা দেৱগণ নহয় সকলোৱেই এই ছটি বাটেদি ভাৰতৰ পৰা স্বৰ্গ লৈ আৰু স্বৰ্গৰ পৰা ভাৰতলৈ অহা যোৱা কৰিছিল। ইয়াৰ বাহিৰেও ভৌম পিতৃযান দেৱযান পথৰ বাহিৰেও আৰু কেইটিমান ভৌম পথৰ কথা।

"ধূমপথ," "বাত্ৰিপথ" ইত্যাদি নামে আৰু কেইটিমান পথৰ কথাও শুনা যায়। শুক্ল-যজুৰে কৈছে যে 'বৈকুণ্ঠ বা মধ্য ছাইবেৰিয়াবাসী মহাত্মা বিষ্ণু ধূম নামৰ পিতৃযান পথেদি পিতৃলোক বা মন্দোলিয়াবাসী মনু, অত্ৰি, শয়্য প্ৰভৃতি দেৱতাসকলক লগতলৈ পৃথিবী বা ভাৰতবৰ্ষলৈ আহিছিল। "পিতৃণ পৃথিবীমগম যজ্ঞঃ (যজু ৮ অঃ ৬৩ মন্ত্ৰ) অৰং যজ্ঞ (বিষ্ণুঃ) ধূমাদি মাৰ্গেন পিতৃণ প্ৰাপ পৃথিবীং ভূলোকং অগন্ অগমম্বং,"—(মহীধৰ ভাষ্য)

মৎস্য পুৰাণত লিখা আছে যে এই পিতৃযান-পথ অগস্ত্য পথৰ উত্তৰে আৰু জ্যোতিপথৰ বাহিৰে। তাৰ ওচৰত থকা উচ্চ ভূখণ্ড প্ৰজাকামী অগ্নিহোত্ৰী ঋষিসকল বাস কৰিছিল। প্ৰয়োজন হলে তেওঁলোকে অজৰ স্ত্ৰীত ক্ষেত্ৰজ সন্তান উৎপাদন কৰিছিল।

"উত্তৰং যৎ অগস্তস্য শুক্লং দেৱৰ্ষি সেবিতং।
পিতৃযানঃ স্মৃতঃ পন্থা বিশ্বানৰ পথাং বহিঃ ॥
তত্ৰাসতে প্ৰজাকামী ঋষয়ো যেঽগ্নিহোত্ৰিণঃ।
লোকস্য সন্তানকাৰকাঃ পিতৃযান পথে স্থিতাঃ ॥
(মৎস্য পুৰাণ ১২৪ অঃ ৯৮, ৯৯ শ্লোক)

অথৰ্ব্ববেদৰ মন্ত্ৰবপৰা দেখা যায় যে এই পথবিলাক "হৰ্ম্যেভ্যঃ" অৰ্থাৎ উচ্চ প্ৰদেশবপৰা ক্ৰমে নিম্ন ভূমিত অৰ্থাৎ ভাৰতবৰ্ষত আহি মিলিছে।

(ক) "প্ৰমে পন্থা দেৱযানা অদৃশ্ৰ অমৰ্দ্ধন্তো বসুভিসিস্কৃতামঃ।
অভূৎ কেতুৰুষসঃ পুৰস্তাৎ প্ৰতীচী আত্মগাৎ অধি হৰ্ম্মেভ্যঃ"
(অথৰ্ব্ববেদ)

ঋক্‌বেদত কৈছে যে সূৰ্য্যই নিৰ্ম্মাণ কৰা যিবিলাক প্ৰাচীন পথ বোলানপাছ আৰু খাইবাৰ পাছেদি অন্তৰীক্ষ-লোক বা আফগনিস্থান আদিৰ মাজেদি স্বৰ্গলৈ গৈছে তাৰ সকলো পথেই সুগম, ধূলিশূন্য আৰু সুন্দৰ।

যেনে,—"যে তে পন্থাঃ সবিতঃ পূৰ্ব্বাসো অনেৰণঃ সুকৃতা অন্তৰীক্ষো।
তেভি নো অদ্য পথিভিঃ সুগেভিঃ ৰক্ষা চ নো অধি বক্ৰহি দেব॥"
(ঋক্‌বেদ)

ঋক্‌বেদত আৰু কৈছে যে বিশুদ্ধচেতা পিতা সূৰ্য্যদেৱে তেওঁৰ পুত্ৰ মনুৰ অন্তৰীক্ষলোক বা আফ্‌গনিস্থানেদি ভাৰতলৈ অহাৰ সময়ত তেওঁক এটি অশ্ব প্ৰদান কৰিছিল।
"অযুক্ত সুৰ এতশং পচমানো মনৌ অধি অন্তৰিক্ষেণ যাতবে"
(ঋক্‌বেদ)

কিন্তু দুখৰ বিষয় যে কালক্ৰমত এই দেৱযান আৰু পিতৃযানাদি পথ সকলোৱে পাহৰি গ'ল আৰু তাৰ ঠাইত শূন্যলোক আদিলৈ যাব পৰা কিছুমান কাল্পনিক পথৰ অৱতাৰণা হয়। এই বিস্মৃতিৰ আভাস শেষ বৈদিক যুগৰ ঋষিবিলাকৰ মুখৰপৰা কিছু পোৱা যায়। অথৰ্ব্ব বেদত এজন ঋষিয়ে আক্ষেপ কৰি কৈছে যে কোনেও পিতৃযান আৰু দেৱযান পথৰ কথা নাজানে—"ন পিতৃযানং পন্থাং জানাতি ন দেৱযানম্"—(অথৰ্ব্ববেদ)। ছান্দোগ্য উপ-নিষদত "শ্বেতকেতু প্ৰবহণ সংবাদত" জীৱল তনয় প্ৰবহণে শ্বেতকেতুক সুধিছে 'কুমাৰ, তুমি দেৱযান আৰু পিতৃযান পথৰ সবিশেষ বিৱৰণ জানানে?' তাৰ উত্তৰত শ্বেত-কেতুৱে কৈছে "ভগৱান, মই তাৰ বিষয়ে নাজানোঁ।"।

"বেত্থ পথো দেৱযানস্য পিতৃযানস্য ব্যাবৰ্ত্তনা।
ন ভগব" ইতি—(ছান্দোগ্য উপনিষদ্)

এইবিলাক উক্তিৰ দ্বাৰা সুস্পষ্টভাৱে প্ৰমাণিত হৈছে যে বেদাদি গ্ৰন্থৰ অধ্যয়ন অধ্যাপনাদিৰ স্বল্পতা বা এসময়ত

বেদত দেৱযানাদি পথৰ বিস্মৃতিৰ আভাস।

ভাৰতৰ পৰা হিমালয় পাৰ হৈ মানস মাশক, মঙ্গ (মঙ্গোলিয়া) প্ৰভৃতি উত্তৰ প্ৰদেশলৈ স্বৰ্গলোকলৈ যাতায়াতৰ পথবিলাকৰ বিষয়ে মানুহৰ মাজত ক্ৰমে ক্ৰমে ভুল হৈ হৈ পৰিশেষত একে সময়তে সিহঁতৰ স্মৃতি লুপ্ত হৈ গ'ল, অৰ্থাৎ সেই বিষয়ে মানুহে সমূলি পাহৰি পেলালে।

[মাশকাচাৰ্য্য এওঁ সামবেদীয় সূত্ৰকাৰ। এওঁৰ জন্মঠাই মাশকদেশ, লাট্যায়ণ দ্ৰাহ্যায়ণ প্ৰভৃতি আচাৰ্য্যবিলাকো উত্তৰদেশীয়।]

প্ৰেত বা মৃতৰ আবাস স্বৰূপ অভৌম—পাৰলৌকিক বা আকাশস্থ কোনো স্বৰ্গ আৰু নৰকৰ কথা আৰু সেই ঠাইলৈ গমনাগমনৰ নিমিত্তে দেৱযানাদি পথৰ বিষয়ে বেদাদি গ্ৰন্থত উল্লিখিত হোৱা নাই। কিন্তু, শেষত যি হৈছে সি বিস্মৃতিবশতঃহে হৈছে, আৰু সেইবিলাকৰ বহুতো স্বাৰ্থীসকলৰ কল্পনা মাত্ৰ, গতিকে মিছা।

আচাৰ্য্য শুক্ৰই তেওঁৰ নিজৰ নীতিগ্ৰন্থত কৈছে যে যি লোকে এই পৃথিৱীত যিমান কীৰ্ত্তি অৰ্জ্জন কৰিব পাৰে তাৰ পক্ষে সেয়েই স্বৰ্গসুখ বা স্বৰ্গবাস, আৰু অকীৰ্ত্তিয়েই নৰক। ইয়াৰ বাহিৰে স্বৰ্গ আৰু নৰক বুলি পৃথক একো নাই।

"ভূমৌ যাবৎ যস্য কীৰ্ত্তি তাবৎ স্বৰ্গে স তিষ্ঠতি।
অকীৰ্ত্তিয়েব নৰকো নান্যোঽস্তি নৰকো দিবম্"॥
(শুক্ৰনীতি)

ভাগৱতত কৈছে শৰীৰত সত্ত্ব গুণৰ আবিৰ্ভাৱ বা সমধিক প্ৰকাশৰ নামেই স্বৰ্গ আৰু তাৰ বিপৰীত তমোগুণৰ প্ৰকাশাধিক্যৰ নামেই নৰক।

"স্বৰ্গঃ সত্ত্ব গুণোদয়ঃ। নৰকস্তমোন্নাহঃ।"—(ভাগৱত)

মহৰ্ষি জৈমিনি সূত্ৰৰ ভাষ্যত দেৱতা বিচাৰ অধ্যায়ত (৯।১।৪।) স্বামী শৱৰে কৈছে যে মানুহ মাত্ৰেই স্বৰ্গকামনা কৰে, কিয়নো স্বৰ্গ শব্দৰ অৰ্থ "প্ৰীতি", সেই প্ৰীতি সকলোৰে প্ৰাৰ্থনীয়। যি সকলোৰেই প্ৰাৰ্থনীয় আৰু সেই হেতুকে যি সকলোৰে নিমিত্তে সাধাৰণ সেয়ে স্বৰ্গ—সি প্ৰীতি নামে অভিহিত। এয়েই আচাৰ্য্য জৈমিনিৰ অভিমত। পাতঞ্জল দৰ্শন ভাষ্যত ব্যাসদেৱে কৈছে যে তামিস্ৰ, অন্ধতামিস্ৰ বুলি কোনো লোক বা স্থান নাই, মিছা জ্ঞান বা অজ্ঞানৰ যি অবিদ্যাদি পঞ্চক্লেশ, তাৰেই নাম

যথাক্ৰমে তমো, মোহ, মহামোহ, তামিস্ৰ আৰু অন্ধতামিস্ৰ নামৰ নৰক। ইয়াত বাজেও বিষ্ণুপুৰাণত কৈছে যে, হে দ্বিজোত্তম, মনৰ প্ৰীতিৰ নামেই স্বৰ্গ আৰু অপ্ৰীতি বা দুঃখৰ নামেই নৰক, [যেনে (ক) অবিদ্যাস্মিতা ৰাগ দ্বেষাভিনিবেশাঃ ক্লেশাঃ ইতি এতএব সংজ্ঞাভিস্তমো মোহো মহামোহো স্তমিস্ৰান্ধ তামিস্ৰ ইতি (১।৯ যোগ দৰ্শন ভাষ্য—ব্যাস)

(খ) এইবিলাক অজ্ঞান ৰূপ নৰকৰ সবিশেষ সংখ্যা কাৰিকাৰ "পঞ্চবিপৰ্য্যয়া ভেদাভবন্তি" এই সূত্ৰত আচাৰ্য্য গৌড়পাদৰ ভাষ্য চোৱা।

(গ) "মনঃ প্ৰীতিকৰঃ স্বৰ্গঃ নৰকস্তদ্বিপৰ্য্যয়ঃ"—(বিষ্ণুপুৰাণ)

(ঙ) ব্ৰহ্মা আৰু ইন্দ্ৰৰ নিচিনাকৈ ব্যাসো এটা আখ্যা বিশেষ, পাতঞ্জল দৰ্শনৰ ব্যাস "কৃষ্ণদ্বৈপায়ণ ব্যাস নহয়।]

প্ৰীতি বা সুখ বিশেষৰ নামেই যেতিয়া স্বৰ্গ আৰু তাৰ বিপৰীত বা দুখ বিশেষৰ নামেই যেতিয়া নৰক, ইয়াৰপৰা ভালকৈ বুজা গৈছে যে স্বৰ্গ আৰু নৰক এই দুটা প্ৰসিদ্ধিৰ মূল কাৰণ কেৱল ইন্দ্ৰিয় বিলাক নিগৃহীত হলেই স্বৰ্গৰ নিমিত্ত হয়, আৰু বিক্ষিপ্ত হলেই নৰকৰ হেতু হয়। এই

স্বৰ্গ আৰু নৰকৰ দ্বাৰ অজ্ঞান জনিত ইন্দ্ৰিয় বিক্ষেপ

গতিকে ইন্দ্ৰিয় বিলাকেই স্বৰ্গৰ অৰ্থাৎ তপশ্চৰণ-জনিত পৰম সুখৰ মূল আৰু নৰকৰ অৰ্থাৎ অসদাচৰণজনিত দুখৰ কাৰণ, স্মৃতিত এই কথা স্পষ্টাক্ষৰেৰে লিখা আছে, যেনে,

"ত্ৰিবিধং নৰকস্যেদং দ্বাৰং নাশসমাত্মনঃ।
কামক্ৰোধস্তথা লোভস্তস্মাদেতত্ৰয়ং ত্যজেৎ॥"
(ভগবদ্গীতা) ১৬।২১)

মহাভাৰতৰ আদি পৰ্ব্বত লিখা আছে যে জীৱবিলাকে জন্ম গ্ৰহণ কৰি অজ্ঞানতাবশতঃ কেৱল অনিত্য বিষয় ভোগতে বছৰবিলাক অতীত কৰে, নিজৰ বয়োবৃদ্ধি দেখা নাপায়, ইয়াৰ বামেই নৰক। মুঠতে নৰক যন্ত্ৰণাৰ মূল কাৰণ অজ্ঞান, নিজৰ মন। যিমান দিন মূল অজ্ঞানৰূপ এই মন আছে, সিমান দিন যিমানেই কি বাহ্যানুষ্ঠানৰূপ মন্ত্ৰাদি উচ্চাৰণ কৰা যাওক, দেৱোদ্দেশে স্তুতিনতি, প্ৰণাম, প্ৰদক্ষিণ, কৰা যাওক বা কবচাদি ধাৰণ কৰা যাওক, কোনোমতে একো নহয়। নৰক যন্ত্ৰণা সেইবিলাকৰ পৰা নাযায় আৰু শান্তি পোৱা নাযায়। ভৰিত জোতা নিপিন্ধি তাৰ মূল্য স্বৰূপ এটকা ৰূপত ছিদ্ৰ কৰি তাৰ মাজত জৰি সুমুৱাই ভৰিত পিন্ধি গলে তাৰপৰা জোতা পিন্ধাৰ সুখ পোৱা নাযায়। নৰক যন্ত্ৰণাদিৰ মূল কাৰণ মন, যাক বেদান্তাদি শাস্ত্ৰত মূল অজ্ঞান, অধ্যাসম

মনোনিগ্ৰহৰ আৰু ব্ৰহ্মবৃত্তি বা অপৰোক্ষানুভূতি

বা খণ্ডিত জ্ঞান বা বৃত্তি বোলা হৈছে। মনোগ্ৰহ কৰা বা তাক নাশ কৰা অৰ্থাৎ শ্ৰোত্ৰিয় ব্ৰহ্মানিষ্ঠ গুৰুৰ মুখে স্বীয় প্ৰকৃতস্বৰূপ শ্ৰৱণদ্বাৰা খণ্ডিত বৃত্তিৰ ঠাইত কুটস্থ ব্ৰহ্মৰূপৰ অখণ্ড বৃত্তি উপজিত কৰা, ইয়াৰ নামেই ব্ৰহ্মবৃত্তি বা অপৰোক্ষানুভূতি। ইয়েই বিবিক্ত প্ৰত্যক চৈতন্য বা দ্ৰষ্টা বা জ্ঞাতা স্বৰূপ স্বপ্ৰকাশ ৰূপ। ইয়াৰ মনন আৰু নিদিধ্যাসনৰূপ ক্ৰমে ক্ৰমে প্ৰবল স্ফূৰ্ত্তি পালে সেই স্বপ্ৰকাশৰূপ অখণ্ডবৃত্তি যথা কালত জ্ঞান স্বৰূপে লীন হয়। তেতিয়া কেৱল সচ্চিদানন্দ স্বপ্ৰকাশ থাকে, এয়েই স্বৰূপৰূপ, অমৃত স্বৰূপ আৰু

ভূমানন্দ বা ব্ৰহ্মানন্দ

নিৰতিশয় মুখস্বৰূপ ভূমানন্দ বা ব্ৰহ্মানন্দ নামে অভিহিত। এয়েই দুখাসম্ভিন্ন, সমস্ত কামনাৰ আপ্তি স্বৰূপ আৰু পুণৰাবৰ্ত্তন নিবৰ্ত্তক। এই সুখেই শ্ৰুতিত "স্বৰ্গসুখ" আখ্যাৰে আখ্যায়িত হৈছে।

"স এতেন প্ৰজ্ঞেনাত্মনাস্মাল্লোকাদুৎক্ৰাম্যামুষ্মিন স্বৰ্গে লোকে সৰ্ব্বান্ কামানাপ্তামৃতঃ সমজ্ঞবৎ সমভবৎ", (ঐতৰেয়োপনিষদ) অস্মাল্লোকাৎ অস্মাচ্ছৰীৰাৎ। (শঙ্কৰভাষ্য)

———

বিশ্ব-প্ৰৱাহ

শ্ৰীশিৱাজী সামৰিক স্কুল—

পুনা নগৰৰ শ্ৰীশিৱাজী সামৰিক স্কুলটি সঁচাকৈ আজি সকলো ভাৰতীয়ৰে দৃষ্টি আকৰ্ষণ কৰিব পৰা অনুষ্ঠান যে হোৱাত বাস্তৱিকতে সোণত সুৱগা যেন হৈছে। ভাৰতৰ নতুন শাসন সংস্কাৰৰ লগে লগে ভাৰতে যাতে আত্মৰক্ষাৰ কাৰণে সক্ষম হব পাৰে তাৰ উপযুক্ত ব্যৱস্থা হব লাগিব।



এটা শ্ৰেণীৰ শিক্ষা দিয়া কোঠালী, য'ত ভাৰতৰ সৈনিক বিভাগৰ কৰ্ম্মচাৰী সকলক শিক্ষা দিয়া হৈছে।



স্কুলৰ পুথিভাল ; ইয়াত ছাত্ৰ সকলে সকলো ৰকমৰ কিতাপ পত্ৰ পঢ়িবৰ সুবিধা আছে।

তাত অকণো সন্দেহ নাই। যাৰ কাহিনীয়ে ডুক্কলৰ প্ৰাণতো বলৰ সঞ্চাৰ কৰে, যাৰ নামত হতাশৰ মনতো আশাৰ ৰেখা বিবিঙ্গি উঠে, সেই ৰীৰপুৰুষৰ নামত অনুষ্ঠানটি আৰু ভাৰতৰ ঠাইে ঠাইে এনে অনুষ্ঠানৰ বহুল বিস্তাৰ হব লাগিব।



শ্ৰীশিৱাজী স্কুলৰ সমুখৰ বাগনেৰে সৈতে এটি দৃশ্য

পুনা সামৰিক স্কুলৰ বাস্তৱিকতে কেইটি মান বিশেষত্ব আছে আৰু সেই বিষয় এই স্কুলৰ উপযুক্ত অধ্যক্ষ লেফ্‌টেনেণ্ট কৰ্ণেল জি, এচ্‌, হাচিনসনৰ বিবৃতিৰ পৰাই ভালকৈ বুজা যায়। এই স্কুলৰ উদ্দেশ্য অকল ছাত্ৰসকলক পৈণত যোদ্ধা কৰি তোলাই নহয়, ছাত্ৰসকলৰ শাৰীৰিক, মানসিক আৰু নৈতিক উৎকৰ্ষ সাধনেই ইয়াৰ মুখ্য উদ্দেশ্য। ইয়াৰ

শিক্ষা অভিনব ধৰণৰ উদাসীন বিধৰ নহয় ৰবং সকলো সম্ভাৱ সমুখীন হব পৰা কৰাটোৱেই এই শিক্ষাৰ প্ৰধান উদ্দেশ্য।

ই সঁচাকৈ ৰব সুখ লগা কথা। ভাৰতৰ সকলো ডেকাকে ইয়াত শিক্ষা লাভ কৰিবৰ সুবিধা দিয়া হৈছে। আন আন প্ৰদেশতো এনে অনুষ্ঠান অতি বাঞ্ছনীয়।



ছাত্ৰ সকলক নিতৌ শাৰীৰিক ব্যায়াম শিক্ষা দিয়াৰ এটি দৃশ্য

স্কুলটোক সামৰিক (মিলিটাৰী) বুলি ধৰা হৈছে এই কাৰণে যে ইয়াৰ লক্ষ্য প্ৰথমে হৈছে ল'ৰাৰ মনত যুদ্ধ কৰিব পৰা সাহস, সহিষ্ণুতা, ধৈর্য্য নিয়মানুবর্ত্তিতা, ত্যাগ আৰু সহৃদয়তাৰ (Comradeship) ভাৰ জগাই তোলা। আকৌ ইয়াত বিশ্ববিদ্যালয়ৰ লাগতিয়াল আন সকলো শিক্ষাৰেই ব্যৱস্থা আছে। ভূগোল, ইতিহাস, দেশ-বিদেশৰ বাণিজ্যিক বেপাৰ-বাণিজ্য আদি শিক্ষাৰ সকলো সুবন্দোবস্ত আছে। আন আন বিশ্ববিদ্যালয়ৰ সকলো শিক্ষা দি ছাত্ৰক সকলো কামৰ উপযুক্ত কৰি তোলা হয়।

এই স্কুলৰ আৰু এটি লক্ষ্য কৰিব লগীয়া কথা যে ইয়াত জাতিধৰ্ম্ম নিৰ্ব্বিশেষে শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। সাম্প্ৰদায়িক ভাৱ ইয়াত তেনেই নাই। ইয়াত মনা ধৰ্ম্ম আৰ্য্যধৰ্ম্ম (Arya religion) যাৰ ভিতৰেদি সকলোবে মাজত ভাৰ স্থাপন কৰিব পাৰি। আন কথাত ইয়াকেই মানৱ ধৰ্ম্ম বুলিব পাৰি। ইয়াত হিন্দু, মুছলমান, খৃষ্টিয়ান পাহী সকলো একে লগে খায়, পঢ়ে আৰু কাম কৰে।

পাৰ চবাইক গেচৰ পৰা ৰক্ষা কৰিবলৈ কৰা মুখা—



পাৰ চবাইৰ মুখা

বৰ্ত্তমান যুদ্ধবিদ্যাৰ বিশেষত্ব আৰু অস্ত্ৰ-শস্ত্ৰত নোহোৱা হৈ আহিব ধৰিছে। লাহে লাহে যুদ্ধত অস্ত্ৰ-শস্ত্ৰৰ লোপ পাই তাৰ

ঠাইত আন উন্নত ধৰণৰ মানুহ মৰা উপায় অৱলম্বন কৰা হব যে ই ধুকপ। ভবিষ্যতে যি যুদ্ধ হব তাত গেচ, আৰু কলেৰা, প্লেগ আদি সংক্রামক ৰোগৰ বীজৰ (Bacteria) ব্যৱহাৰেই প্রাধান্যতা লাভ কৰিব বুলি কব পাৰি। তেতিয়া হলে আৰু ৰক্ষাৰ হেতু নোহোৱা হব। কিন্তু তাৰ পৰা ৰক্ষা পৰিবলৈও চেষ্টা চলিব যে ই নিশ্চয়। জার্ম্মানিয়ে বর্ত্তমান গেচৰ পৰা ৰক্ষা পৰিবলৈ মুখা কৰিছে। বিষাক্ত গেচ এই মুখাই ফিল্টাৰ কৰি দিয়ে। এই ছবিত চবাইৰ কাৰণে কৰা এটি মুখা দেখুৱা হৈছে। কাৰণ যুদ্ধত পাৰ চবাই ৰাতৰি অন্য নিয়াত অতি আৱশ্যকীয়, গতিকে সিইতকো ৰক্ষা কৰিব লাগিব।

মানুহৰ চুলিৰ সৎব্যৱহাৰ—

বর্ত্তমানে মানুহৰ চুলি এটা প্রধান শিল্প সামগ্রী হৈ পৰিছে। আমেৰিকাত ইয়াৰ বিশেষ আদৰ আৰু জর্ম্মিয়া টেক্সাজ্ আৰু চাউথ কেৰোলিনা আদি ঠাইত চুলিৰ পৰা এক ৰকম কাপোৰ তৈয়াৰ কৰা হয়। ফ্রান্স আৰু জার্ম্মানিতো চুলিৰ কাপোৰ কৰা শিল্পৰ বহুল প্রচাৰ হব ধৰিছে।

এই কাপোৰক অয়েল প্রেছ ক্লথ্ (Oil press Cloth)



চীনা চুলিৰ পৰা অয়েল ক্লথ কৰা এটা যন্ত্ৰ

বোলা হয়। কিয়নো ওটৰ পৰা পেৰি উলিওৱাত এই কাপোৰ ব্যৱহাৰ কৰিব লাগে। কাৰণ তেল পেৰাৰ সময়ত এনে এটা বস্তু লাগে যাৰ ভিতৰেদি তেল বাহিৰ হৈ যাব পাৰে, অথচ বেছি তাপ আৰু চেঁচোৰ (Temperature and pressure) পৰা তাৰ কোনো অনিষ্ট নহয়।



জাহাজত পঠিয়াবলৈ এটা ফেক্টৰিত চুলিবিলাক সজাৰ ধৰিছে।

ইয়াৰ কাৰণে প্রথমে উটৰ নোম ব্যৱহাৰ কৰা হৈছিল। কিন্তু মহাযুদ্ধৰ সময়ত বহুত উট যুদ্ধ সামগ্রী অনা নিয়াত আৱশ্যক হোৱাত আৰু যুদ্ধত বহুত উট মৰি যোৱাত আন আন জন্তুৰ নোম ব্যৱহাৰ কৰিবৰ চেষ্টা চলি আছিছিল। কিন্তু কোনো নোমেই উটৰ নোমৰ দৰে কাম কৰিব নোৱাৰিলে। শেষত বৈজ্ঞানিক সকলে পৰীক্ষা কৰি চীনৰ মানুহৰ চুলিয়ে সেই কাম কৰিব পাৰিব বুলি পৰীক্ষা কৰি উলিয়ালে। ইটালীয়ান, জার্ম্মাণ চেকোশ্লোভেকিয়ান আৰু এছিয়াটিক আদি বহুত জাতিৰ মানুহৰ চুলি শিল্পত খটোৱা হয়। কিন্তু চীনৰ মানুহৰ চুলিহে অয়েল-প্রেছ-ক্লথৰ উপযুক্ত বুলি প্রমাণিত হৈছে।

চীনত চুলিৰ এতিয়া ৰৰ সমাদৰ আৰু চুলি ৰপ্তাৰৰ কাৰণে সকলোৱে চেষ্টা, কিন্তু তিৰোতাবিলাকেই ইয়াৰ একচেটীয়া ব্যৱসায় কৰি থৈলাইছে।

আয়াৰলেণ্ডত ৰাজদ্রোহীৰ স্মৃতিমূর্ত্তি প্রতিষ্ঠা।

ফ্রি ষ্টেটৰ প্রেচিডেণ্ট ডি ভেলেৰাই ১৯১৬ খৃষ্টাব্দৰ বিদ্রোহী নেত্রী কাউণ্টেচ মার্কিভিজ'ৰ মর্ম্মৰ মূর্ত্তি অনগতে মুকলি কৰিছে। এই মূর্ত্তি ডবলিন নগৰৰ প্রকাশ্য ঠাই এডোৱৰত স্থাপিত হৈছে। যি গৰাকী মহিলা কেবছৰমান আগতে বিদ্রোহিনী বুলি অভিযুক্তা হৈছিল, আজি অলপ দিনৰ ভিতৰতে তেওঁৰ স্মৃতি পূজাৰ অর্থে আয়াৰলেণ্ডত অন্তৰ্ব্বাৰ পৰিবর্ত্তন হৈ উঠাটো স্বাধীনতাকামী সকলো জাতি পক্ষে ৰৰ আশা আৰু উৎসাহৰ সীমা নোহোৱা কথা।



ডি ভেলেৰা আৰু কাউণ্টেচ মার্কিভিজৰ মর্ম্মৰ মূর্ত্তি

ভাৰতীয় হকি-খেলুৰৈ—

ভাৰতৰ মানুহেও লাহে লাহে সকলো ৰকমৰ খেলত আন্তর্জাতিক নাম যশ পাবলৈ ধৰিছে। বর্ত্তমান অলিম্পিক খেললৈ ভাৰতৰো হকি টিম এটা খেলিবলৈ গৈছে,— ভাৰতৰ গৌৰৱ ৰক্ষা কৰি আহিব বুলি আশা কৰা যায়।



অলিম্পিক খেললৈ যোৱা বাটত জাপানৰ যুৱৰাজ চিচিবুই সাদৰ অভ্যর্থনা জনাইছে

অদ্ভুত জন্তু—

চিলোন, নেপাল, চীন, মালয়া, জাভা, বর্ণিও আৰু ফ্রেঞ্চিছ আদি দেশত এবিধ অদ্ভুত ধৰণৰ জন্তু পোৱা যায়। ভাৰততো দুই চাৰিটা কেতিয়াবা পোৱা যায়। জন্তুটোক অদ্ভুত বোলা হৈছে এই কাৰণে যে এনে আকতিৰ জন্তু সচৰাচৰ পোৱা নাযায়। দেখাত ই পাইন গছৰ জোঙা আগটোৰ নিচিনা (pine core) দীঘলে চিলোনৰ বিলাক তিনিফুট ওঁহ মান। আফ্রিকাৰ বিলাক প্রায় ৫ফুট ৪ ইঃ মান কিন্তু আচৰিত কথা এই-টোৱেই যে ইয়াৰ গাটো গছৰ শিঙৰ নিচিনা চেপেটা জোঙা আৰু ডাঠ পাতেৰে ঢকা (horny overlapping scales) আমাৰ ইয়াত পোৱা কেটেলাপছৰ দৰে এই জন্তুৰ গোটেই গাটো এটা ৰাকচৰ ভিতৰত থকা যেন দেখি। ইয়াক ইংৰাজীত পেঙ্গোলিন বোলে (Pangolin)।



মালয় দেশৰ এটা পেঙ্গোলিন পোক-পকৰা যাই আহি এঙোপা আম গছত গুলমি আছে।



এটা পোহনীয়া পেঙ্গোলিন গৰাকীৰ হাতত গুলমি আছে।

আশী বছৰীয়া প্ৰাক্তনতাত্ত্বিক—

মহা পণ্ডিত ফ্ৰিন্ডাৰস্ পেট্ৰী প্ৰত্নতত্ত্বৰ আচাৰ্য্য বুলিব পাৰি। তেওঁ কয় যে সি বিজ্ঞানৰ দ্বাৰা আমি মানুহৰ ক্ৰমবিকাশৰ প্ৰত্যেক অৱস্থাৰ যাৰতীয় বৃত্তান্ত



ভাৰ ফ্লিণ্ডাস পেট্ৰী

জানিব পাৰোঁ বোলে প্ৰত্নতত্ত্ব। এই বিশ্বাস লৈয়েই তেখেতে আজীৱন প্ৰত্নতত্ত্বতেই কটালে। এতিয়া তেখেতৰ বয়স আশী বছৰ, তথাপি প্ৰত্নতত্ত্বৰ ধাউতি এৰিব পৰা নাই। তেখেতে বৰ্ত্তমানে আকৌ গাজাৰৈ (Gaza) যাব ওলাইছে, কি জানি আক কিবা তাত পাব পাৰে।

আমাৰ দেশ পুৰণি সভ্যতাৰ সম্পদেৰে ভৰপুৰ। তক্ষশিলা, পাটলিপুত্ৰ, শ্ৰাৱস্তি উৎখিৰ আক নলন্দা গনাৰ ফলত ভাৰতৰ লুপ্ত গৌৰৱৰ বহুত চিন আবিষ্কাৰ হৈছে। অসম দেশতো পুৰণি গৌৰৱ মণ্ডিত বহুত চিন পোৱা গৈছে। স্বৰ্গীয় ৺হেমচন্দ্ৰ গোস্বামীকে আদি কৰি কেই-জনমান উৎসাহী আক স্বনুসন্ধিৎসু লোকৰ চেষ্টাত অসমত তাৰ চৰ্চ্চা আৰম্ভ হৈছে। বৰ্ত্তমানে প্ৰফেচৰ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা, ৰায় বাহাদুৰ শ্ৰীযুত কণক লাল বৰুৱা আক শ্ৰীযুত সো ৰাম চৌধুৰীকে আদি কৰি অসমীয়া প্ৰাক্তনতাত্ত্বিক সকলৰ অধ্যৱসায় আক উদ্যম দেখি প্ৰত্নতত্ত্ব অসমীয়াৰ উজ্জ্বল ভবিষ্যত আশা কৰিছোঁ। তেওঁলোকৰ চেষ্টাৰ ফল কামৰূপ অনুসন্ধান সমিতি। চেষ্টা চলি থাকিলে ইয়াক এটি ডাঙৰ মিউজিয়মত পৰিণত কৰিব পৰা যাব যে তাৰ অকণো সন্দেহ নাই।

নেপালৰ প্ৰধান মন্ত্ৰীৰ পৰলোক প্ৰাপ্তি আক উত্তৰাধিকাৰীসূত্ৰে নতুন মন্ত্ৰী নিযুক্ত—

যোৱা ১৭ ভাদ তাৰিখে নেপালৰ প্ৰধান মন্ত্ৰী মহাৰজা ভীম ছমছেৰ জং বাণা বাহাদুৰৰ পৰলোক প্ৰাপ্তি হৈছে।

মহাৰজা যুদ্ধ ছমছেৰজং বাহাদুৰে উত্তৰাধিকাৰীৰ সূত্ৰে প্ৰধান মন্ত্ৰী হৈছে।

স্বৰ্গীয় মহাৰজা ভীম ছমছেৰ জঙ্গ বাহাদুৰ ১৯২৯ খৃষ্টাব্দত প্ৰধান মন্ত্ৰী হৈছিল। তেখেত বৃটিছ বাহিনীৰ অনাৰেৰী কৰ্ণেল আক নেপালৰ প্ৰধান সেনাপতিও আছিল।

তেখেতে নেপাল ৰাজ্যৰ পৰা লোণ-কৰ আক ঘাঁহ-কৰ তুলি দিছিল, গাৰে গাৰে সমবায় ব্যাঙ্ক পাতিছিল। তেখেতেই নেপাল ৰাজ্যত তিভীম ধাৰা নামৰ পানীৰ কল বহুৱাইছিল।

নেপালত প্ৰধান মন্ত্ৰীয়ে ৰাজ্য চলায়। তাৰ প্ৰধান মন্ত্ৰীয়েই প্ৰধান সেনাপতিও। তেওঁকে মহাৰজা বোলা হয়। যি জনা নেপালৰ প্ৰকৃত ৰজা তেওঁ কেৱল নামতহে।

স্বৰ্গীয় প্ৰধান মন্ত্ৰীৰ আমোলত নেপালৰ বহুবিধ জনহিতকৰ কাম হৈছে। আমি আশা কৰোঁ বৰ্ত্তমান মন্ত্ৰী মহাৰজাৰ দিনতো নেপালে আক বহুত বিষয়ত আগ বাঢ়ি পাবিব।



৺ভীম ছমছেৰ জং বাণা বাহাদুৰ

বিবিধ

মহ মৰা কল—

জাৰ্ম্মেল গৰ্ডন নামেৰে এগৰাকী ফৰাছী মহিলাই এটি মহ মৰা কল আবিষ্কাৰ কৰিছে। এটি কলটোৱে ঘণ্টাত প্ৰায়কো বেছি মহ মাৰিবলৈ পৰা যায়।

কলটো এনে দৰে তৈয়াৰী—ই এটি দীঘল আক ডাঙৰ খাঁচৰ নল। ইয়াৰ ওপৰৰ ফালে উজ্জ্বল পোহৰৰ ব্যৱস্থা আছে। তলৰ ফালে বতাহ টানিবৰ ব্যৱস্থা থকা এটি যন্ত্ৰ আছে। পোহৰৰ দ্বাৰা আকৃষ্ট হৈ মহবিলাকে খাঁচৰ নলৰ ওপৰৰ মুখৰ ওচৰলৈ গলেই তলৰ যন্ত্ৰৰ সাহায্যত ইংগ্ন হোৱা বতাহৰ সোঁতত পৰি ভিতৰলৈ সোমাই যায় আক তাতেই মৰে।

লণ্ডনৰ মাটিৰ তলেদি যোৱা বেল—

লণ্ডনত মাটিৰ তলেদি বেল চলে, সেই কথা সকলোৱে জানে। সম্প্ৰতি সেই বেলৰ লাইন আক ৫ই মাইল বঢ়োৱা হৈ আক পাচোটা ষ্টেশ্ন কৰা হৈ।

এই মহানগৰীত বাতিপুৱা ৫ই বজাৰ পৰা আৰম্ভ কৰি ৰাতি ৪২টা পৰ্য্যন্ত মাটিৰ তলেদি মুঠৰ ওপৰত ১৩২ মাইল ঘটৰ বেল চলাচল কৰে। এই বেলৰ মুঠ ষ্টেশ্ন ১৩০টি আক প্ৰতি ২২ মিনিটৰ পিছত পিছত একোখন বেল প্ৰতি ষ্টেশ্নতে পোৱা যায়।

বাতৰি কাকতৰ মিউজিয়াম—

এই সপ্তাহত বৃটিছ মিউজিয়ামৰ কলিন্ডেলত (Colindale) এটি বাতৰি কাকতৰ লাইব্ৰেৰী খোলা হৈছে। তাত ১৮০০ খৃঃ পৰা প্ৰকাশ হোৱা আটাইবোৰ বাতৰি কাকত ৰখা হৈছে। প্ৰফেচৰ ফিলবাৰ্ট মূৰে এটি বাতৰি কাকত পৰিদৰ্শন কৰা দলৰ (inspecting party) আগত কৈছিল যে এই নতুন লাইব্ৰেৰীত ২৭৫,০০০ ঘন গজ ৰখা খৰব কাগজ ১৪ মাইল দীঘল শেলফত (Shelves) সজাই থোৱা হৈছে।

হিমালয়ৰ জাৰ্ম্মাণ অভিযান—

বিশাল হিমালয় অভিযানত এতিয়াও মানুহৰ শক্তি কৃতকাৰ্য্য হব পৰা নাই। যোৱা এপ্ৰিল মাহত মিউনিকৰ পৰা যি জাৰ্ম্মাণ অভিযানকাৰী দলটো আহিছিল তেওঁলোকে নাঙ্গা পৰ্ব্বতৰ ২৭ হাজাৰ ফুটৰ ওপৰলৈ উঠিবলৈ চেষ্টা কৰিছিল ; কিন্তু সফল হব নোৱাৰিলে। অভিযানকাৰী সকলৰ অসুখ হোৱা গতিকে নামি আহিবলৈ বাধ্য হ'ল। তেওঁলোকে ২২,৯৬৫ ফুট ওপৰত উঠিছে তাকে ঘটাইছিল।

নামনি অসমত ভূইকঁপ

যোৱা ১৯৩০ চনৰ জুলাই মাহত হোৱা ডাঙৰ ভূইকঁপৰ পৰা এতিয়াইকৈ নামনি অসমত ৫১০ বাৰ ভূইকঁপ হোৱা এটা বৰ আশ্চৰ্য্যৰ কথা হৈ পৰিছে। সিদিনা উজনীতো এটি প্ৰলল ভূইকঁপ হৈ মানুহৰ বিশেষ অনিষ্ট কৰিলে।

সংগ্ৰহ

(বাৰ্ত্তাৰ বিবৃতি)

'আমাৰ নিচুৱ আচল কথা কোনোবাই কওঁনে?' বুলি দুখি তেওঁ ফাঁহ ধৰিলে—

যদি তোমালোকে ভাবিছা যে মই মোৰ বিষয় সাঁচাকথা কবলৈ যৈছোঁ, তেন্তে ভুলতহে তোমালোকে আক ইয়াতকৈ ডাঙৰ ভুল কথা নাই। চেষ্টা কৰিলেও মই কব নোৱাৰিলোহেঁতেন। ইয়াৰ কাৰণ কি মই নাজানো। ভালকৈ বেয়া মানুহৰ পৰাহে বেছি আচল কথা জানিলোহেঁতেন বুলি মোৰ বিশ্বাস। কাৰণ ভালমানুহবোৰে তেওঁলোকে কৰা কাণ্য সম্বন্ধে সদায় বিনম্ৰ দেখুওৱাত কিয়নো তেওঁলোকে জানে যে বাস্তৱিকে সিবোৰ অতি সামান্য। কিন্তু সৎ মানুহবিলাক সদায় আত্মাভিমানী আক তেওঁলোকে কৰা কাম সম্বন্ধে আন কি পুলিছৰ আগত ডাঙোপা মাৰি কৈ সুফুৰিও নোৱাবে। সেই সিদিনা ফান্সৰ এজন মানুহে সভাপতিক মাৰি পেলালে,কাৰণ তাৰ ধাৰণা যে ছবিটো সকলো কাকতেই

উঠিব আৰু অন্ততঃ সি এসপ্তাহৰ কাৰণেতো তাত বিখ্যাত এজন হৈ পৰিব। এনেকি তাৰ নামটো বুৰঞ্জীৰ পাতত বৈ যাব। কাৰণ সৌ তাহানি তৃতীয় ৰিচাৰ্ডেও ষ্টেজত কৈছিল

The aspiring youth that fired
The Ephesian dome
Outlives in fame the pious fool
who raised it.

অৰ্থাৎ "এফিছিয়ান ডোমত" জুই লগাই দিয়া সেই উচ্চাকাঙ্ক্ষী ডেকাজনে তাক তৈয়াৰ কৰা ধাৰ্ম্মিক মূৰ্খ জনতকৈও বেছি নাম কৰিছিল।"

তোমালোকে ভাবা যে মই ডাঙৰ মানুহ। বি,বি, ছিয়েও* তাকেই ভাবে। সেয়েহে আজি মই এই মাইক্ৰোফোণত; আৰু মোৰ দেশৰ অসংখ্য মানুহে, কেনেকৈনো ডাঙৰ মানুহ হোৱা যায় বা ল'ৰা ছোৱালীক ডাঙৰ হোৱাৰ পথ কেনেকৈ দেখুৱাব পাৰি তাকে জানিবৰ বাবে মোৰ কথা শুনিবলৈ বৈ আছে। তোমালোকে জানা যে দেখাত মই দাঁড়িৰে সৈতে আন বুঢ়া মানুহৰ দৰেই। তোমালোকে যি জানিব খোজা সি হৈছে তোমালোক আৰু আমাৰ ভিতৰত বিভিন্নতাটো, আৰু মই যে ডাঙৰ হৈছোঁ কিন্তু তোমালোক একোৱেই নহয়, সেই ৰহস্যটো। গুৰিতে তোমালোকে ঠিককৈ জানিবা যে এই ৰহস্যটো. মই যে তোমালোকতকৈ নৈতিক বলত বেছি বলী তেনে নহয়। মই নাটক লেখিব পাৰোঁ আৰু তোমালোকে নোৱাৰা, সেয়ে কথা।



বাৰ্ণাৰ্ড

মই যেই সেই লেখিব পাৰোঁ, যদি নোৱাৰিলোহেঁতেন তেনেহলে সম্ভৱতঃ মই বাটৰ ভিকহু হলোহেঁতেন। সাধাৰণতঃ মোৰ অৱস্থা ইমান ভাল যে প্ৰত্যেকে মই আচলতে যিমান সম্মানৰ্হ তাতকৈ বেছি বুলি ধৰে আৰু বাতৰি কাকতবোৰেও তাতেই হৈ দিয়ে। তোমালোকে বাতৰি কাকতক কেতিয়াও বিশ্বাস নকৰিবা।

প্ৰধান ৰূপকথা—

আচল কথা, ডাঙৰ মানুহ বোলা তেনে কোনো পদাৰ্থ নাই। মানুহে আগেয়ে উপন্যাসৰ 'য়ুনিকৰ্ণ' আৰু 'ড্ৰেগন' আদি অদ্ভুত জন্তুবিলাকৰ কথা বিশ্বাস কৰাৰ দৰে ইও তেনে এটি বিশ্বাস কৰা কথাহে। শতকৰা ৯৯ জন পুৰুষ তিৰোতা সকলো সেই তোমালোকৰ নিচিনাই। প্ৰকৃততে তেনেকৈ কলেও তোমালোকক অপমান কৰাহে হয়, কিয়নো সেই ডাঙৰ মানুহ বোলাওঁতা সকল সেই শতকৰা ৯৯ জন সাধাৰণ লোকৰ ভিতৰতোতেনেই আপচু তৰপৰহে। এনেকি আটাইতকৈ যি জন ভাল তেৱোঁ বেয়া হোৱাৰ সম্ভাৱনা, যদি জীয়াই থকা কেদিন সেইজনকো যিমান হব লাগে, তাতকৈ বেছি ডাঙৰ কৰা হয়। যদি মোৰ কথা শুনা সাৱধান হবা, কিয়নো আনৰ লগত মিল নোহোৱাটো বৰ দাৰুণ কথা। যদি কোনো ফালে এই অমিল বেছি মাত্ৰাই দেখুৱা তেন্তে তুমি বীৰ বা বীৰনাৰী নহবা। তুমি এজন সত্যান্বেষী আত্মত্যাগী হে (martyr) হবা। তেনে সত্যান্বেষী আত্মত্যাগী বহুত আছে। অৱশ্যে, যি সকলক কাৰাগাৰত থোৱা হৈছে, শূলত দিয়া হৈছে, বেত্ৰাঘাত কৰা হৈছে, জুইত পুৰি মৰা হৈছে, নাইবা আন কোনো উত্তেজনা পূৰ্ণ অসহনীয় মৃত্যুদণ্ড দিয়া হৈছে, তেওঁলোকক যে সত্যান্বেষী আত্মত্যাগী বোলোঁ। কিন্তু এনে বহুত আত্মত্যাগী আছে যিসকলে নমৰালৈকৈ অৰ্থাৎ স্বাভাৱিক মৃত্যু নোহোৱালৈকে কঠোৰ কষ্ট আৰু দাৰিদ্ৰ্যৰ যন্ত্ৰণা সহিব লাগে; আৰু অপ্ৰশংসিত, অসম্মানিত আৰু কাৰো চকুলোৰ কাৰণ (unwept) নোহোৱাকৈয়ে ইহ লীলা সম্বৰণ কৰে। শ'ৰ ভিতৰত সেইজনৰ স্বভাৱৰ ওপৰতহে সকলো কথা নিৰ্ভৰ কৰে।

তুমি যদি এজনী বৰ ধুনীয়া তিৰোতা বা সুললিত কণ্ঠস্বৰেৰে সৈতে এজন পুৰুষ হোৱা, তেন্তে তোমাৰপ্ৰতি অসন্তুষ্টি জনক স্বাৰ্থপৰ ব্যৱহাৰেৰে ইমান উপভোগ কৰিব যে সিমান খিনি কেতিয়াও এজনী কুৰূপা ৰমণী বা সঙ্গীতহীন পুৰুষৰ পৰা সহনীয় নহ'লহেঁতেন। যদি তোমাৰ টকা কৰিব পৰা কিবা শক্তিহে থাকে তেন্তে সৰুসুৰা ক্ৰীড়া কৌতুকৰপৰা মানুহ মৰালৈকে যি ইচ্ছা কৰিব পাৰা; যদি হে আইনৰ ভিতৰত থকা কিটিপখিনি জানা (Keep technically within the law) কিন্তু যদিহে তোমাৰ দুখীয়াক ধনী কৰা, ধনীক দুখীয়া কৰা, বা প্ৰকৃত সত্য ধৰ্ম্ম দেখুৱাই দি কুসংস্কাৰ ধ্বংশ কৰা, বা ব্যক্তিগত স্বাৰ্থৰ বিৰুদ্ধাচৰণ কৰি সমাজৰ কল্যাণৰ অৰ্থে বেছি ভোট লাভ কৰিব পৰা শতকৰা এভাগো শক্তি থাকে তেন্তে তুমি আত্মত্যাগৰ পৰা ৰক্ষা পৰাটো বৰ সৌভাগ্যৰ কথা হব। সেইবাবে সাৱধান হবা। যদি তোমালোকে ল'ৰাছোৱালী বিলাকক নিৰাপদ আৰু সম্মানাৰ্হ কৰিব খোজা, তেন্তে সকলোৱে যি কৰে তাকেহে কৰিব দিবা—ভালেই হ'ক বা বেয়াই হ'ক। যি মুহূৰ্ত্তত সিহঁতে সেই সকলোৱে যোৱা পোন আৰু সৰল পথৰ পৰা লৰে তেতিয়াই সিহঁতৰ বিপদ।—ক্ৰমশঃ

* Brittsh Broadcasting Co.

আমাৰ জাতীয় চৈতন্য

—শ্ৰীযুত কমলা কান্ত ভট্টাচাৰ্য্য

শিতানত অকাঁ কথাটি ধৰি মই গুৰিৰে পৰা বহু প্ৰবন্ধ লেখা মনত পৰে। কিন্তু দুখৰ বিষয় এই পৰ্য্যন্ত অসমীয়া জাতিয়ে আগলৈ নিজা অস্তিত্ব ৰখাৰ কাৰণে একো চেষ্টাকেই কৰা নাই। চেষ্টা কৰা দূৰৰ কথা কাণসাৰকেই কৰা নাই বুলিলেও বঢ়াই কোৱা নহয়। আজি-কালিৰ সঙ্কট সমস্যাৰ পৰা উদ্ধাৰ পাবলৈ হলে এপিনে এটি কথাত ধৰি থাকিলে নহয়, কেবা ফালৰ সময়ৰ সোঁতত ভেটা নিদিলে জাতীয় অস্তিত্ব ৰখা টান কথা হব যে, তাক এটি এটিকৈ দেখুৱা এই প্ৰবন্ধৰ উদ্দেশ্য।

পোনতে ধৰোঁ ভাষা, দ্বিতীয়তঃ জাতীয় ধৰ্ম্ম, তৃতীয়তঃ দেশ, চতুৰ্থতঃ স্বজাতীয় প্ৰবৃত্তি অনুসাৰে কৰ্ম্ম। এই কেউবিধ কথাত জাতিৰ গৰমিল নাথাকিলে জাতীয়-প্ৰতিভা পৃথিবীৰ মানুহৰ চকুৰ আগত পৰে আৰু ইয়েই জাতীয় সম্মান ডাঠ কৰি বঢ়াই তুলি যি কোনো জাতিক জীয়া জাতি বোলায়। অসমীয়া ভাই সকল, আৰু আওকাণ কৰা ডাঙৰীয়া সকল, ওপৰত উল্লেখ কৰা চাৰিটি কথাৰ ভিতৰৰ কোনটি বিষয় অসমীয়া জাতিৰ দেখিবলৈ পাইছা?

ভাষাৰ পিনে আমি অসমীয়া উন্নতিৰ বাটত বৰ পিছ পৰি থকা জাতি। মাতৃভাষাইহে জাতিৰ উন্নতি অৱনতি সম্পৰ্কে চিনাকি দিয়ে। পৃথিবীৰ আন আন দেশ মহাদেশৰ মাতৃভাষাৰ কথা নকওঁ ভাৰতৰে আন আন প্ৰদেশ বিলাকৰ যি দৰে মাতৃভাষাৰ উন্নতি হৈছে তাৰ তুলনাত অসমীয়া ভাষাৰ উন্নতি বৰ তলত পৰা যে এই কথা বহলাই নকলেও হয়। ইয়াৰ মূল কাৰণ পিলিকি চাবলৈ গলে, অসমীয়া ভাষাই ইং ১৮৭২ চনৰ পৰা হে জন্মলাভ কৰা বুলি ধৰিব পাৰি। ইং ১৮২৬ চনৰ পৰা বৃটিছ গৱৰ্ণমেণ্টে ভুলক্ৰমে গোটেই দেশত বঙলা ভাষা চলোৱাৰ পৰাই বঙালী ভাই সকলে অসমীয়া ভাষাৰ পীৰি উঠাবলৈকে যত্ন কৰিছিল যে তাক কোনে নাজানে?

গৱৰ্ণমেণ্ট স্কুল, আদালতত অসমীয়া ভাষা চলাৰ হুকুম দিয়াৰ পিছতো জৰে এৰিলে কৰপটীয়ে নেৰাৰ দৰে বঙলা ভাষাই যুঁজ বাগৰ কৰিয়েই আছে। তত্ৰাচ অনেক যত্ন কৰি দেশৰ কৃতি পুৰুষ সকলে এদোপ এদোপকৈ অসমীয়া ভাষা ওপৰলৈ তুলিলে, আৰু বিশ্ববিদ্যালয়েও অসমীয়া ভাষা যে বঙলাতকৈ বেলেগ ভাষা তাক স্বীকাৰ কৰিলে। অসমীয়া ভাষা চলিল হয়, কিন্তু গোটেই অসমত এই পৰ্য্যন্ত চলা নাই। এনে স্থলত অসমীয়াক একেটি জাতি কৰা যায় কেনেকৈ? যি কোনো জাতিৰ এভাগ মানুহে যদি নিজ মাতৃভাষা এৰি আন প্ৰদেশৰ ভাষাক মাতৃভাষা পাতে তেনেহলে আচল ঐতিহাসিক জাতিটি দুৰ্ব্বল হৈ অস্তিত্ব লোপ পোৱাৰ পিনে ঢাল খায়নে নাখায় ভাবি চোৱা। এই হেতুকে মই মূৰ্খে কওঁ, হে অসমীয়া ভাই সকল, বঙালী ভাই সকলে যি দৰে যত্ন কৰি কাছাৰ, মণিপুৰ, খাছিয়া পাহাৰ, জয়ন্তীয়া পৰগণা আৰু গুৱাল পাড়াৰ এডোখৰত বঙলা ভাষা চলাই, আমাৰ ঐতিহাসিক দেশ খনক বঙলা দেশৰ ভিতৰত একে ভাষা ভাষী বুলি সোমাবৰ আলচ কৰিছে, আমাৰো গোটেই অসমত যদি অসমীয়া ভাষা চলাবৰ চেষ্টা কৰা নহয় তেনেহলে এই জাতিটিৰ অলপতে নাম নুমাব বুলি ধৰি লবা।

দ্বিতীয়তঃ জাতীয় ধৰ্ম্ম—জাতীয় ধৰ্ম্ম অকল ঈশ্বৰ পূজা বা ঈশ্বৰ সেৱাকেই নুবুজায়। ঈশ্বৰক সত্য ধৰ্ম্মৰ আদৰ্শ ধৰি কৰ্ম্ম কৰাকেহে আচলতে ধৰ্ম্ম বুজায়। যি ধৰ্ম্ম সত্যৰ

আদৰ্শেৰে বন্ধা সেই ধৰ্ম্মই ওখ জাত বা নীহ জাত বিচাৰ নকৰে, মানুহক একে জাতৰ কৰিহে পেলায়।

অসমীয়া মানুহৰ ঈশ্বৰ সম্বন্ধে ধাৰণা—শ্ৰীশঙ্কৰ দেৱে গীতা, ভাগৱত, আৰু বেদান্ত, উপনিষদৰ পৰা ভাঙি উলিৱা বিশুদ্ধ বৈষ্ণৱ ধৰ্ম্মৰ মত—ঘাইকৈ একেটি ঈশ্বৰ। "এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ"—এক পৰমেশ্বৰক মনা ধৰ্ম্ম। এই ধৰ্ম্মৰ মতত জাতিভেদ নাই, মূৰ্ত্তি পূজা নাই। এতিয়া এই ধৰ্ম্ম আমি মূৰ্খ অসমীয়াৰ হাতত পৰি কেনে হৈ পৰিছে তাক এবাৰ চিন্তাশীল সুধি সকলে ভাবি চাওক। এই অসমত বঙলা দেশৰ পৰা নানা মূৰ্ত্তি পূজা ধৰ্ম্ম আৰু বঙালীৰ কিছুমান নিকপ্‌কপীয়া আচাৰ ব্যৱহাৰ সোমাই অসমীয়া জাতিক ভাগ ভাগ কৰি পেলোৱা হৈছেনে নাই? বছৰি বছৰি দুৰ্গা পূজাত আমি যিমান ধন ভাঙো সেইধন ক্ষন্তেকীয়া বং ধেমালিত খৰচ নকৰি শিক্ষাৰ উন্নতিত যদি খৰচ কৰা হ'ল হয়, অসম ওপৰলৈহে উধালে হেঁতেন!

হিন্দু মিশ্যন

এতিয়া অসমত হিন্দু মিশ্যন ওলাইছেহি। হিন্দু জাতিয়ে বৰ্ত্তমান টানত পৰি "ৰাম" বুলি উঠি জাতিভেদ উঠাই দিয়াৰ আয়োজন পাতি হিন্দুমিশ্যন চলাইছে। তাৰে এটি সোঁত আহি অসমো পাইছেহি কিন্তু আমি অসমীয়াই ভবা নাই যে, এই হিন্দু মিশ্যনৰ কাৰ্য্যৰ প্ৰায় ৫০০ বছৰৰ আগতে শ্ৰীশঙ্কৰ দেৱে দিহা কৰি থৈ গৈছে। এনে দিহাৰ শকত গুৰি বান্ধি থৈ গৈছে, যে গাঁৱে গাঁৱে একো একোটি নাম ঘৰ বা কীৰ্ত্তণ ঘৰ থাকিব। এই ঘৰত সদৌ জাতি মিলি হৰি কীৰ্ত্তন কৰিব পাৰিব আৰু প্ৰসাদ লোৱাত জাত-অজাত বিচাৰ নাথাকিব। এতিয়া শ্ৰীশঙ্কৰদেৱে পতা ধৰ্ম্ম বিকৃত হৈছে যে তাৰ ভুল নাই। হে অসমীয়া ভাই সকল, হিন্দু মিশ্যনত যোগ দিয়াৰ সলনি শঙ্কৰদেৱ মিশ্যন পাতি দেশৰ নাম ৰক্ষাৰ উপায় কৰা। তুইৰ জুই উমাই উমাই লাগি থকালৈ কোনেও মন নকৰে কিন্তু এবাৰ কোনোৱে মন কৰি যদি ফুঁ দিয়ে তেনেহলে জুই জ্বলি উঠে। একো পৰিশ্ৰম কৰিব নালাগে। অসমীয়া ৰাইজক আন ধৰ্ম্ম বুজাবলৈ যিমান খিনি পৰিশ্ৰম কৰিব লাগিব শ্ৰীশঙ্কৰদেৱৰ গোটেই দেশখনতে উমাই থকা ধৰ্ম্ম জ্বলাই তুলিবলৈ অতি সহজ হব। শঙ্কৰদেৱৰ ধৰ্ম্ম মতৰ বৰ্ত্তমান ঢাকনি খনি গুচাই অসমীয়া কৃতবিদ্য ডেকা সকলে দুখ কষ্ট ভোগ কৰি স্বাৰ্থত্যাগৰ দ্বাৰাই যদি গোটেই ঐতিহাসিক অসম বা কামৰূপত প্ৰচাৰ কৰে তেনে হলে ধৰ্ম্ম প্ৰচাৰৰ লগে লগে অসমীয়া ভাষাৰো যে প্ৰচাৰ হয় তাৰ ভুল নাই। শঙ্কৰ মিশ্যন জানো সেই হিন্দু মিশ্যন নহয়? এতিয়া কথা হৈছে, যি বিলাক কৃতবিদ্য লোকক মিশ্যনৰ নেতা কৰি পঠোৱা যায় সেই সকলে বতাহ খাই কাম কৰিব নে? "জানা ধনঞ্জয় ধন নহলে কাৰ্য্য নিসিজয়।" এই কামৰ নিমিত্তে ধন লাগে। ধন কোনে দিয়ে? আমি দুখীয়া ৰায়ত সকলৰ পৰা এক, অনা দু অনাকৈ ধন তুলি কাম কৰিবলৈ আশাপলা, পানীৰ মিঠৈ বন্ধাৰ দৰে। অসম একেবাৰে টোকোনা দেশ নহয়—যদিও আন দেশৰ দৰে এই দেশত লাখ পতি ক্ৰোৰপতি ধনী নাই। তথাপি ঠায়ে ঠায়ে এনে একো একোজন ধনী আছে আৰু মহাপুৰুষীয়া, দামো দৰীয়া আদি সত্ৰৰ কিছুমান সত্ৰাধিকাৰ আছে, যি সকলৰ একো একো জনে চাৰি পাঁচ হেজাৰ কৈ দেশৰ ধৰ্ম্ম ৰক্ষা, মান ৰক্ষাৰ নিমিত্তে দান দিলেও গায় নাজানে। হে ধনীসকল আৰু সত্ৰাধিকাৰ সুধিসকল, আপোনাসকলে স্বদেশৰ নিমিত্তে ত্যাগ স্বীকাৰ নকৰিলে কোনে কৰে? আপোনাসকলে ভাবিচালে পাব যে যদি ইমানতে আমি অসমীয়াই জ্ঞানৰ উন্নতিৰ লগে লগে, ধৰ্ম্মৰ উন্নতিৰ আৰু ঘাইকৈ শিল্প, বাণিজ্য কৃষি আদিৰ উন্নতি নাসাধোঁ, বৰ্ত্তমান যুগৰ সমস্যা মতে জীৱন যুদ্ধত পৰাজয় হৈ জাতি আৰু দেশৰ নামকেই নুমাব যে তাৰ লক্ষণ জল জল পটপটকৈ চকুৰ আগতে ওলাই পৰিছে। ইমানতো যদি আপোনা সকলে দেশপ্ৰেমলৈ পিঠি দি ধনকেইহে মোৰ বোলে তেনেহলে এনে কথাক পুতৌ কৰিব লগীয়া অজ্ঞতা নুবুলি কি বুলিব পাৰিব?

এই খিনিতে বেজীৰ গল্প এটি মনত পৰিল।

গল্পটো এই :—

শুনা যায়, তাহানিখন পুৰণি কালত কলিকতা

হাইস্কুলত দুটি ছাত্ৰই একে লগে পঢ়িছিল। এটি বামুনৰ ল'ৰা আনটি কায়স্থৰ ল'ৰা। কায়স্থ-ল'ৰাটিলৈ এজন ল'ৰা নথকা কায়স্থ জমীদাৰৰ চকু পৰিল। তেওৰ এজনী ছোৱালী মাথোন উত্তৰাধিকাৰিণী বোলাবলৈ আছিল। সেই জমীদাৰে কায়স্থ ল'ৰাজনলৈ ছোৱালী জনী বিয়া দি উত্তৰাধিকাৰী পাতিলে। লগত পঢ়া বামুনৰ লৰাটি হিন্দু কলেজত পঢ়ি সংস্কৃত জনা এজন বৰ পণ্ডিত হৈ উঠিল। পিছে নিজে টোল পাতি ছাত্ৰ পঢ়াব ধৰিলে আৰু ছাত্ৰ সকলক লৈ সেৱক সঙ্ঘ এটি গঢ়ি তেওঁ নিৰাশ্ৰয়, দুখীয়া, খাবলৈ নোপোৱা মানুহবিলাকক অন্নদান দিয়া আৰু ৰোগীৰ শুশ্ৰূষাত লাগি পৰিল। জমীদাৰৰ এই সহপাঠি পণ্ডিত জনে যিবিলাক দেশ-হিতকৰ কামত ধৰিছে তাক টকাৰ সহায় নাপালে কৰা টান ভাবি এদিন তেওঁ সহপাঠি জমীদাৰৰ ওচৰলৈ গৈ সকলো কথা ভাঙি-পাতি কৈ সাহায্য খুজিলে। এই কথাত তেওঁৰ সহপাঠি বন্ধু জমীদাৰে বিৰক্তিৰে তেওঁক কলে যে তেওঁ নিষ্কৰ্ম্মা মানুহ আৰু আনৰ পৰা টকা ফাকি দি নিবৰ নিমিত্তে তেনে বিলাক ব্যৱসায় দেখায়। এই কটু উক্তিৰে পণ্ডিত জনক একো সহায় নকৰি বিদায় দিলে। এই দিনৰ পৰা পণ্ডিত জনে বহু বছৰ জমীদাৰক কোনো দিন দেখা নকৰাকৈ কাল কটালে। হঠাৎ এদিন সেই জমীদাৰৰ পৰা এজন কৰ্ম্মচাৰী আহি তেওঁক অনুনয় বিনয় কৰি জমীদাৰে মাতি পঠিয়াইছে বুলি বতৰা দিলেহি কাৰণ জমীদাৰৰ অন্তিম সময় উপস্থিত। এই কথা শুনি পণ্ডিত জনে জমীদাৰক দেখা কৰিবলৈ গ'ল। জমীদাৰে পণ্ডিত জনক দেখা পাই এদিন যে কটু কথা কৈ বৰ অপৰাধ কৰিছিল অন্তিমকালত তেওঁ তাৰ বাবে ক্ষমা ভিক্ষা খুজিলে। বন্ধু জনে কলে যে তেওঁক কেতিয়াবাই তেওঁ ক্ষমা কৰিছে।

পণ্ডিত জনে জমীদাৰক কলে "হে বন্ধু মই আপোনাৰ পৰা একো নোখোজোঁ, মাত্ৰ এটি কথা কব খোজোঁ। আপোনাৰ বহু আগতে মোৰ দুজনী ভনী স্বৰ্গ ৰাজ্যলৈ গৈছে। স্বৰ্গৰাজ্যত বেজী কিজানি নাই, এতেকে আপোনাৰ লগত বেজী এটি পঠাওঁ, লৈ গৈ মোৰ ভনী দুজনীক দিয়ে গৈ যেন।" এই কথা শুনি জমীদাৰে বেজাৰেৰে কলে "হে বন্ধু! মোৰ অন্তিম সময়ত মোক বিদ্ৰূপ কৰা আপোনাৰ উচিত হোৱা নাই। যি স্থলত মোৰ গাটিকে এৰি যাম বেজীটি নিম কেনেকৈ? তেতিয়া পণ্ডিত জনে সুধিলে বন্ধু আপুনি ক্ৰোৰপতি, ধনবিলাক কালৈ ৰাখি যাব? যি স্থলত আপোনাৰ অভি-ভাৱক এজনী বুঢ়ী তিৰোতা বিনে আৰু কেনো নাই। জমীদাৰৰ অকস্মাৎ সজ জ্ঞান আহিল আৰু বন্ধু জনক কলে যে তেওঁৰ অৰ্থ-সম্পত্তি টকা কৰি সম্বন্ধে তেওঁ যি পৰামৰ্শ দিয়ে তেওঁ তাকেই কৰিব। বন্ধুজনে কলে "তেন্তে বেলি নকৰি খত এখন সোনকালে অনাই এই মুহূৰ্ত্ততে মই দিয়া দিহা মতে টকা আৰু সম্পত্তি পুণ্যকামত লগাওক।" জমীদাৰে 'তথাস্তু' বোলাত তেতিয়াই পণ্ডিত জনে উইল লিখাই টকা ভাগ কৰিলে। আৰু কেই লাখ মান টকা শিক্ষা বিস্তাৰৰ নিমিত্তে, কেইলাখ মান টকা চিকিৎসালয় পাতি ৰোগী চিকিৎসাৰ নিমিত্তে আৰু কেইলাখ মান টকা দিনৌ ৪।৫ শ অন্নহীন মানুহে খাই থকাকৈ সদাব্ৰতৰ নিমিত্তে ভাগ কৰাই জমীদাৰ জনক স্বৰ্গবাসী কৰালে। আমাৰ অসমীয়া আঢ্যৱন্ত সকলে বিচাৰ কৰি চাওক, টকা কৰি লগত নাযায়। আমি ক্ষন্তেকীয়া জীৱনৰ সুখ ভোগত দিন কটাই জীৱনৰ খাটাত হিচাপ দিব পাৰোঁ, নমৰালৈকে কিমান বিষ্ঠা মূত্ৰ ত্যাগ কৰিলোঁ আৰু কিমানটি সন্তান ওপজালোঁ। ইয়াৰ বাহিৰে স্বজাতি স্বদেশৰ উন্নতি আৰু কল্যাণ সাধন কিমান কৰা হ'ল তাৰ হিচাপ কোনেও দিব নোৱাৰোঁ। আমি মানুহ হৈ জন্মিছোঁ খাইবৈ, জন্তু হৈ থাকিবলৈনে? আমি মানুহ হৈ উপজিছোঁ নিজৰ দেশৰ নাম জলাবলৈ হে। কিন্তু দেশৰ নাম নুমাব ধৰিছে যে তালৈ মন কৰা নাই। কিছুমান কৃতবিদ্য লোকে অসমত বঙাল দেশৰ হিন্দু মিশ্যন সুমাই শ্ৰীশঙ্কৰদেৱৰ নাম লোপ কৰিবলৈ ওলাইছে। শঙ্কৰদেৱে পতা উদাৰ ধৰ্ম্মে বহু পৰ্ব্বতীয় জাতিক হিন্দু কৰা নাইনে? আন কি বৰ দুৱৰীয়া, নাম-চঙীয়া এই দুখেল স্বাধীন নগাই শঙ্কৰদেৱৰ ধৰ্ম্ম মত গ্ৰহণ কৰি কেতিয়াবাই হিন্দু হৈ পৰিল। চেচাঁ, চামধৰা, বুদ্‌বাৰি, কাটনি পাৰ, মৰমৰা আদি সত্ৰৰ মহন্ত সকলহে

আচল মহাপুৰুষীয়া। এওঁলোকৰ সত্ৰবিলাকত এতিয়া লৈকে বৰপেটাৰ দৰে বামুনীয়া মত চলা নাই। এই সকল মহন্তই মিৰি দেউৰী, হোজায়, লালুং, কছাৰী আৰু নগা আদি অজাতি বোলা মানুহ বিলাকক শৰণীয়া কৰে আৰু ধৰ্ম্ম মণ্ডপত সুমাই লয়, প্ৰায় জাত নামানে। এনেস্থলত ভাটি ফালৰ হিন্দুমিশ্ৰন আমাৰ দেশত সুমাই আমাৰ দেশৰ মহাপুৰুষ সকলৰ নাম লোপ কৰিবলৈ চেষ্টা কৰাহে হৈছে। হিন্দু মিশ্ৰন শ্ৰীশঙ্কৰদেৱৰ মিশ্ৰন পতাক নোবোলেনে? বৰ্ত্তমান বৰপেটাৰ অনুদাৰ ধৰ্ম্মমত শ্ৰীশঙ্কৰদেৱৰ ধৰ্ম্মমত নহয়। হে কৃতবিদ্য উঠি অহা ডেকা সকল! আহা, আমি মহাপুৰুষীয়া শুদ্ধ ধৰ্ম্ম প্ৰচাৰ কৰি সদৌ জাতিক একে জাতৰ কৰোঁহক।

অনাই বিনাই মুখ শুকাই ফুৰা ডেকা সকলক দেশৰ কাৰ কৰিবলৈ টকাৰ পুঁজি লাগে যে এই বিষয় ডাঠকৈ পিছত আলোচনা কৰা যাব। প্ৰবন্ধ বহল হোৱা গতিকে আজি ইমানতে ৰাখিলোঁ।

তুমি

কবিতা— —শ্ৰীযুত যোগেন্দ্ৰনাথ বৰদলৈ

উৰাই সুগন্ধি বেণু
বজাই মোহন বেণু
ভাঙ্গিদিলা তন্দ্ৰা মোৰ
যতমানে হৃদয় জড়তা।

মলয়াই ঢউ খেলি
আকাশী চপলা মেলি
প্ৰচাৰিলে জগতত
তোমাৰেই মহান বাৰতা।

টোপনিত লাল কাল
সপোনৰ মোহ জাল
প্ৰাৰ্থনা পাহৰি মই
বিলাসত ঢালি দিলোঁ প্ৰাণ।

মায়াৰ মোহিনী ৰাগী
বিজুলী চমক্ লাগি
হঠাতে ভাঙ্গিলা তুমি
দিলা তুমি তোমাৰেই গান।

বাসন্তীৰ পূজা আজি
নতুন সাজেৰে সাজি
প্ৰকৃতিয়ে পুষ্পাঞ্জলি
তোমাৰেই দিয়ে চৰণত

সুন্দৰৰ সৌন্দৰ্য্যৰ
তুমিয়েই খনিকৰ
আকাশী ডাৱৰ তুমি
দিয়া আঁকি নানা বৰণত।

বননিৰ কিচক বাঁহী
বিজুলীৰ মিচিকি হাঁহি
তোমাৰে কথাটি মানি
কিবা কথা কয় কাণে কাণে।

স্বৰগৰ সুধা আনি
তোমাৰ প্ৰচাৰ বাণী
অচেতন জগতক
বিহগীয়ে দিয়ে প্ৰাণে প্ৰাণে।

মধুৰ তোমাৰ গান
উলাহত নাচে প্ৰাণ
গাওঁ মই হিয়া খুলি
সুৰ মোৰ যদিওবা ক্ষীণ।

বনৰ নিয়ৰ কণা
তোমাৰ মুৰতি সনা
তোমাৰেই ভেদ পাওঁ
যাওঁ মই তোমাতে বিলিন।

পৰী

গল্প— —শ্ৰীযুত হৰগোবিন্দ শৰ্ম্মা

'প্ৰভা! অ' প্ৰভা'!

'গৈছোঁ আই, অলপ ৰবা'।

কাতি মাহৰ দুপৰীয়া প্ৰভা আৰু অৰুণ প্ৰভাইতৰ চৰাঘৰত কথা পাতি আছিল। মাকে মতা দেখি প্ৰভা ভিতৰলৈ গ'ল। অৰুণেও লাহে লাহে ঘৰলৈ খোজ ললে।

• • • •

চক্ৰীনাথ বৰুৱা আৰু প্ৰেমনাথ বৰুৱাৰ ঘৰ ওচৰা-ওচৰি। ঘৰ হাঁহচৰাত। চক্ৰীনাথ বৰুৱাৰ একমাত্ৰ, ছোৱালী প্ৰভা। বয়স বাৰ তেৰ বছৰ। দেখিবলৈ ধুনীয়া। ঘৰতে প্ৰভাক শিক্ষা দিছে। প্ৰেমনাথ বৰুৱাৰ একমাত্ৰ পুতেক অৰুণ। অৰুণৰ মাক নাই। সৰুতে মাক মৰে। তেতিয়াৰ পৰা পিতাকে অৰুণক তালি-তুলি ডাঙৰ দীঘল কৰে। বহুতে তেওঁক আকৌ বিয়া কৰাব কৈছিল। পিছত অৰুণৰ কিবা অমঙ্গল হব ভাবি নকৰালে। দুয়ো ঘৰৰে সুন্দৰ মিলা-প্ৰীতি আছে। অৰুণ বৰ্ত্তমান কলিকতাৰ 'আৰ্ট' স্কুলত পঢ়ে। সুন্দৰ, সুঠাম যুৱক। পূজাৰ বন্ধত ঘৰলৈ আহিছে।

আজি অৰুণ কলিকতালৈ যাব। চেনেহৰ ঘৰবাৰী এৰি দূৰ দেশলৈ যাব লাগিব ভাবি মন মাৰি বিছনাত শুই আছে। এনেতে প্ৰভা ঘৰত সোমাল। প্ৰভা ঘৰত সোমোৱা অৰুণে কব নোৱাৰে—কিবা ভাবত বিভোৰ।

"কলিকতালৈ আজি যোৱা অৰুণ দাদা?" কবলৈ পাহৰিছোঁ, প্ৰভাই অৰুণক দাদা বুলি মাতিছিল। অৰুণে কথাকেষাৰ কাণত পৰাত চক্ খাই উঠিল। চকু মেলি দেখে প্ৰভা।

"তুমি আজিয়ে যাবা?"

'হুঁ' বুলি অৰুণে এটা হুমনিয়াহ কাঢ়িলে।

"ইমান সোনকালে যোৱা যদি কিয় আহিছিলা?"

"মই অহাত যদি তোমাৰ অসুবিধা হৈছে তেনেহলে আজিৰ পৰা যাব, আপদ দূৰ হব।" অলপ হাঁহে।

"মইতো কাৰো সুবিধা অসুবিধাৰ কথা কোৱা নাই। তোমাৰ অকল ঠাট্টা" বুলি কৈ প্ৰভা যাবলৈ ওলাল। অৰুণে প্ৰভাৰ আঁচলত থাপ মাৰি ধৰি লাজতে আকৌ এৰি দিলে। "ছিঃ, ইমানতে খং কৰানে?"

"তুমি মোক দিনে দিনে ঠাট্টা কৰা। মই তোমাৰ কি অপৰাধ"...অভিমানত প্ৰভাৰ চকু ছল্‌ছলীয়া হ'ল।

"তুমি যি অপৰাধ কৰিছা তাৰ শাস্তি নহলে"... কান্দো-কান্দো সুৰত প্ৰভাই কলে—"দিয়া যি শাস্তি দিয়া। তেওঁ বুলি তোমাৰ ঠাট্টা সহিব নোৱাৰোঁ।"

"যেতিয়া সময় হয়। আজি নহয়। বুজিছা?" অৰুণে হাঁহিবলৈ ধৰিলে। অৰুণৰ মুখত হাঁহি দেখি প্ৰভাৰ মুখতো হাঁহি ওলাল।

• • • •

ছমাহ পিছৰ কথা।

অৰুণৰ আজি কালি ঘৰত বিশেষ কাম কাজ একো নাই—ছবি আঁকে। সেই দিনা অৰুণে কাৰবাৰ ছবি এখন আঁকিম বুলি কাকত পেঞ্চিল হাতত লৈছিল মাত্ৰ, এনেতে ৰমেশ আহি ওলাল। হাতৰ পেঞ্চিল ডাল টেবিলৰ ওপৰত থৈ মাত লগালে—

"ৰমেশ দেখোঁ, ক'ৰ পৰা আহিলি?"

"ঘৰৰ পৰাই আহিছোঁ ভাই! আহ, অকলে ঘৰত বহি কি কৰ, ফুৰিবলৈ যাওঁ বল। অ' প্ৰভাৰ দেউতাক ঘৰত আছে নে কব পাৰ?"

"কব নোৱাৰো, কিয়?"

"অলপ কথা আছে। যাওঁবল প্ৰভাইতৰ ঘৰলৈ।"

"এতিয়া যাব নোৱাৰিম ভাই, বহুত কাম আছে।"

"অ' এতিয়াতো তোৰ কাম হবই, মোৰ লগত যাব লাগিব নহয়। থাক, থাক মোৰ লগত গলে তোৰ অসুবিধা হব পাৰে।" অৰুণৰ কথালৈ কাণ নকৰি ৰমেশ উঠি গ'ল।

আচল কথা প্ৰভাৰ দেউতাকৰ লগত ৰমেশৰ কোনো দৰকাৰ নাছিল। উদ্দেশ্য হৈছে—প্ৰভাৰ লগত কথা পতা। উদ্দেশ্য সিদ্ধিৰ উপয়ো মিলিল।

ৰমেশ যেতিয়া প্ৰভাইতৰ চৰাঘৰত সোমাল তেতিয়া প্ৰভাই কিবা এখন কিতাপ পঢ়ি আছিল।

"দেউতাৰা আছে?"

"নাই!" প্ৰভাই কিতাপখন থৈ উঠিল।

"তুমি দেখোন উঠিলা। মই কিয় আহিছোঁ সুসুধিলা দেখোন?"

"দেউতা নাই নহয়। আপোনাক মই কি সুধিম?" যাব খোজে।

"বাঃ অৰুণৰ লগত গোটেই দিনটো গল্প কৰি থাকিলেও"...

এই কথাত প্ৰভাৰ বৰ খং উঠিল। মনতে ভাবিলে কি নিলাজ, নাককটা, নিধক, মাজে মাজে আহি মোক ই কিয় আমনি কৰে! খঙেৰে কৈ উঠিল—"কিয়, তাত আপোনাৰ কি হানি হ'ল। ইয়ালৈ চুপতি মাৰিব আহিছে নেকি?" প্ৰভাই তৎক্ষণাত তাৰ পৰা গুচি গ'ল।

ৰমেশে কি মাতিব! লাজে, দুঃখে, অভিমানে তেওঁক হেঁচি ধৰিলে। কিছু সময় তভক মাৰি বহি থকাৰ পিছত বেগাবেগিকৈ তাৰ পৰা উঠি গ'ল—শপত খালে যে এই অপমানৰ প্ৰতিশোধ লব।

• • • •

প্ৰভাৰ বয়স বাঢ়ি অহাৰ লগে লগে পিতাকে বিয়ালৈ বৰ উৎকণ্ঠিত হৈ পৰিল। পিতাকে আজিলৈকে প্ৰভাৰ বাবে ভাল দৰা এটা নাপালে।

সেইদিনা বৰুৱাই ভাটিবেলা বিছনাৰ পৰা শুই উঠি হাত-মুখ ধুই অইন কাম নথকাত খবৰৰ কাকতখন লৈ চকু ফুৰাই আছে। এনেতে ৰামচন্দ্ৰ বৰুৱাই আহি তেওঁক মাত দিলে। বৰুৱা অহা দেখি তাৰ পৰা উঠি আহি চৰাঘৰত তেওঁক বহিব দিলে। তাৰ পিছত তামোল-ছালি দি, অহাৰ কাৰণ সুধিলে।

"বুজিছে বৰুৱা! মই এটা ডাঙৰ বস্তুৰ কাৰণে আহিছোঁ।"

"আপুনিনো কি ডাঙৰ বস্তুৰ বাবে মোৰ ইয়ালৈ আহিব?"

"আছে দেখিহে আহিছোঁ। পিছে দিব নে নিদিয়ে?"

"ক'ক বাৰু, দিব পৰা হলে আপোনাকো নিদিমনে?"

"দিম বুলি নকলে কব নোৱাৰোঁ।"

চক্ৰীনাথ বৰুৱাই এটা হাঁহি মাৰি কলে—"বাৰু সেয়ে হব, বিশ্বামিত্ৰ হ'ল দেখোঁ।" চৰাঘৰৰ দুৱাৰ মুখলৈ গৈ তেখেতে মাত লগালে 'আই! অ' আই'!

প্ৰভাই ডাঙৰ ঘৰৰ পৰাই মাত দিলে—"কিয় পিতা?"

"অলপ পানী তপত কৰচোন।"

"চাহ হৈছে পিতা!" চাহ আহিল।

চাহ খোৱাৰ পিছত চক্ৰীনাথ বৰুৱাই কলে "পিছে নকলে দেখোন।"

"অ', আপুনি বেয়া নাপায়তো?"

"ক'ক, একো বেয়া নাপাওঁ।"

"বৰুৱা, কথা ডাঙৰে। মই ভাল ছোৱালী এজনী বিচাৰি আহিছোঁ।"

"কাৰ বাবে?"

"কাৰ বাবে হব আৰু। মোৰেই ল'ৰাটোলৈ। যদি আপুনি অমত নকৰে তেনেহলে আপোনাৰ ছোৱালীটিৰ সৈতে ল'ৰাটোৰ বিয়াখন হৈ য'ক। কি কয়?"

চক্ৰীনাথ বৰুৱাই মনতে ভাবিলে—ভালেইতো, ইমান ডাঙৰ মানুহৰ ঘৰত প্ৰভাক দিব পাৰিলে বৰ সুখত থাকিব—হ'লেইবা ল'ৰাটো অবিদ্বান। আজি কালি বিদ্বানক কোনে বিচাৰে, টকাৰহে দৰকাৰ।

তাৰ পিছত কলে "মোৰ একো আপত্তি নাই। আপোনাৰ লগত মিতিৰ পাতিব পাৰিলে মোৰ সৌভাগ্যহে।

'বাৰু, বিয়াৰ দিন বাৰ ঠিক কৰিবলৈ পিছে পৰে আহিম নে? কি কয়?"

"আপোনাৰ যেনে ইচ্ছা।"

ৰামচন্দ্ৰ বৰুৱাই বিদায় লৈ প্ৰফুল্ল মনে ঘৰলৈ খোজ ললে।

চক্ৰীনাথ বৰুৱাইও এই শুভ সংবাদটো ঘৈনীয়েকক জনালে। কিন্তু ঘৈনীয়েকে এই বাতৰিত একো আনন্দ প্ৰকাশ নকৰিলে, বৰং তেওঁৰ মুখখন বিষাদ কালিমাই ঢাকি পেলালে। বৰুৱাই ঘৈনীয়েকে এনে কৰা দেখি সুধিলে—

"তুমি কেনে কৰিছা দেখোন! তোমাৰ এই বিয়াত মত নাই নেকি?"

"তেওঁ লোকৰ ঘৰত প্ৰভাক দিবলৈ ইচ্ছা নাই।"

"কিয়?"

"এ ল'ৰাটো ভাল নহয়। তাৰ উপৰি তেওঁলোক হ'ল বৰ ধনী মানুহ। ধনী দুখীয়াৰ মাজত কুৰ্ম্মা কৰা ভাল নহয়, আৰু যি হে কিৰ্পিণ।"

"ৰমেশক কি বেয়া পালা? বিদ্বান নহল বুলি বেয়ানে?"

"ল'ৰা ভাল হ'ক বা বেয়া হ'ক—বিশেষকৈ মই অৰুণ বোপালৈ প্ৰভাক দিম বুলি ভাবি আছোঁ। তাতে আকৌ প্ৰভাৰ অৰুণলৈ ধাউতি অলপ আছে।"

"প্ৰভাৰ কথা এৰি দিয়াচোন তোমাৰ মত হলেই হ'ল।"

"উহঁ মই মত দিব নোৱাৰোঁ।"

"পিছে ৰাম বৰুৱাৰ লগত বেয়া হব লাগিব।"

"কি বেয়া হব লাগিব! আগেয়ে দিম বুলিছিলোঁ, এতিয়া কিবা অসুবিধাৰ বাবে দিব নোৱাৰোঁ। তাতে তেওঁ আমাক কি কৰিব? তেওঁৰতো আমি বিয়াৰ যোগাৰ নষ্ট কৰা নাই।"

বৰুৱাই ইয়াৰ প্ৰতিবাদ কৰিব নোৱাৰিলে, কেৱল এটা দীঘল হুমনিয়াহ কাঢ়িলে।

• • • •

কেইদিনমান পিছৰ কথা। প্ৰভাই ৰুমাল এখনত ফুল এটা তুলি আছিল। পাছ ফালৰ পৰা মনে মনে অৰুণে গৈ প্ৰভাৰ চকু দুটা মুদাই ধৰিলে। প্ৰভা চক্ খাই উঠিল।

"কোন?"

"কোৱা বাৰু।"

"কোন? এৰি দিয়া মই এনে চুপতি ভাল নাপাওঁ।"

"ভাল নোপোৱা,—যাওঁ বাৰু!"

'ইহ, বৰ যোৱাটো ওলাইছে দেখোন!" প্ৰভাই অৰুণৰ হাতত থাপ্ মাৰি ধৰোতে ছবি এখন মাটিত সৰি পৰিল।

"কাৰ ছবি? কাৰ ছবি এইখন অৰুণ দাদা?"

"চোৱাচোন বাৰু কাৰ?"

"মোৰ নিচিনা হৈছে। চুলিবিলাকো ঠিক মোৰ নিচিনাই। তুমি হাতেৰে আঁকিছা, অৰুণ দাদা? হাতেৰে আঁকিছা? কি সুন্দৰ হৈছে। মই আইক দেখুৱাই আনোঁ।"

প্ৰভাই আনন্দতে ছবিখন লৈ মাকক দেখুৱাবলৈ ডাঙৰ ঘৰলৈ লৰ দিলে।

অৰুণে ৰুমালখনত কি ফুল তুলিছে তাক চাবলৈ হাতত তুলি ললে। ফুলটো আধা তুলা হৈছে। ফুলটোৰ কাষত ৰঙিন সুতাৰে লিখা আছে 'অৰুণ দাদালৈ'। অৰুণৰ অজ্ঞাতে এটা হুমনিয়াহ পৰিল—

• • • •

আজি বিয়া!

কাৰ?

অৰুণৰ লগত প্ৰভাৰ। তেনেহলে দুয়োৰে মনত আজি অতি আনন্দ নিশ্চয়।

ঢোলে দগৰে আহি দৰা উপস্থিত হ'ল সুকলমে বিয়াৰ কাৰ্য্যও শেষ হ'ল।

আজি প্ৰভাইতৰ ঘৰলৈ অহাত অৰুণৰ ইমান লাজ কিয়? ক'তা আগেয়েতো অৰুণে প্ৰভাইতৰ ঘৰলৈ অহাত একো লাজ সঙ্কোচ নকৰিছিল। আজি অৰুণৰ কি হ'ল? কোনে কব অৰুণৰ আজি কিহৰ বাবে লাজ সঙ্কোচ।

ৰমেশে বিয়াত জপাবলৈ বিৰা বিচাৰিছিল টকাও খৰচ কৰিলে, বাণো মাৰিলে, নালাগিল।

• • • •

অৰুণে হাঁহি কয়—"তোমাক ঠাট্টা কৰাৰ বাবে আগেয়ে কান্দিছিলা দেখোন? এতিয়া নাকান্দা কিয়?"

উত্তৰ পালে—"যা'ক, আপুনি বৰ বেয়া।"

"বাঃ এতিয়া আপুনি হলোঁনেকি? অ'গেয়ে দেখোন 'তুমি' বুলি মাতিছিলা?"

"আগেয়ে মাতিছিলোঁ। এতিয়া তেনেকৈ মাতিব বেয়া লাগে।"

"কিয়?"

'আগেয়ে আপোন আছিল। এতিয়া পৰ হৈছে।"

"তুমি পৰী হৈছা" বুলি গালত এটা সৰুকৈ টিকনি মাৰি দিলে।

প্ৰভাই হাঁহিলে,—সুন্দৰ হাঁহিটি!

ভাৰতীয় নাৰী-প্ৰগতি আৰু স্ত্ৰীশিক্ষাৰ দিক্ নিৰ্ণয়

—শ্ৰীযুত ৰমণী কান্ত দেৱ শৰ্ম্মা

পৃথিবীৰ সকলো সমাজতেই নাৰী জাতিৰ স্থান পুৰুষ জাতিতকৈ অলপ তলত দেখা যায়। ভাৰতীয় হিন্দু-সমাজতো এই নিয়মৰ ব্যতিক্ৰম হোৱা নাই। যদিও হিন্দুৱে শাস্ত্ৰ আদিত মুক্তকণ্ঠে নাৰীজাতিৰ মাহাত্ম্য কীৰ্ত্তন কৰিছে, তথাপি কাৰ্য্যক্ষেত্ৰত সমাজৰ সৰহ ভাগ মানুহেই শাস্ত্ৰৰ সেই বিধানলৈ মন দিয়া নাই। মহৰ্ষি মনুৱে ধৰ্ম্মশাস্ত্ৰত লিখা আছে যে—যি দেশত হিতোতা জাতিৰ সম্মান নাই সেই দেশৰ উন্নতি বহুদূৰত। হিন্দুশাস্ত্ৰমতে হিতোতা পুৰুষৰ অৰ্দ্ধাঙ্গিনী; আদ্যাশক্তিৰ অংশত নাৰীৰ জন্ম। তথাপি হিন্দুৱে হিতোতাজাতিক প্ৰাপ্যসম্মান আজি দিয়া নাই। উদাহৰণ স্বৰূপে নাৰীজাতি পুৰুষৰ বহু পাছত পৰি আছে। স্বাভাৱিক দৈহিক বলৰ প্ৰভাৱতেই হওক নাইবা আইন কোনো কাৰণতেই হওক হিতোতা জাতিৰ বহুখিনি আগত পুৰুষে নিজৰ ঠাই অধিকাৰ কৰিলেহে। সম্ভৱতঃ পশুবলদৃপ্ত স্বাৰ্থান্ধ পুৰুষে হিতোতা জাতিক নিজৰ সম্পত্তি (Chattels) ৰ দৰে ব্যবহাৰ কৰা বাবেই নাৰী জাতিৰ উন্নতিৰ প্ৰহাৰ অৱৰুদ্ধ হৈছে।

নাৰীৰ ওপৰত পুৰুষৰ বহু শতাব্দীৰ অন্যায় প্ৰভাৱৰ ফল ইমান দূৰ আগবাঢ়িছিল যে নাৰীয়ে নিজকে নিজে পুৰুষৰ বিলাস সামগ্ৰী বুলি ভাবিবলৈ আৰম্ভ কৰিছিল আৰু ভাৰতৰ নিচিনা কিছুমান দেশত এই ধাৰণা হিতোতাৰ মনত একেবাৰে বদ্ধমূল হৈ গৈছিল। সম্প্ৰতি বহুদেশত স্বাৰ্থপৰ পুৰুষে এই অন্যায় প্ৰভাৱৰ পৰা নাৰীজাতিয়ে নিজক মুক্ত কৰিছে যদিও, ভাৰতবৰ্ষৰ নিচিনা পৰাধীন দেশত আত্মবিস্মৃত নাৰীজাতিয়ে নিজৰ স্বত্ব অস্তিত্বকেই এতিয়াও সম্যক্‌ৰূপে অনুভৱ কৰিব পৰা নাই।

বহু শতাব্দীৰ মোহনিদ্ৰাৰ পিছত ভাৰতীয় নাৰীজাতিয়ে নিজৰ ভিতৰত আত্মাৰ স্বাতন্ত্ৰ্য উপলব্ধি কৰিবলৈ চেষ্টা কৰিছে। ইয়াৰ দিনৰ পিৰত হঠাৎ নিজৰ স্বাধীনতাৰ সন্ধান পোৱাত হিতোতাই স্বাধীনতাৰ স্বৰূপ সম্বন্ধে অন্ধ আৰু ভুল ধাৰনা লোৱাটো স্বাভাৱিক আৰু নহয়নে নাৰী স্বাধীনতাৰ সোৱাদ পাই অলপ মত্ততা দেখুৱাটোও আচৰিত কথা নহয়। কিয়নো, ৰাতিপুৱা শেতেলিত থাকোঁতে অন্ধকাৰ খিড়িকিয়েদি বালাকৰ কিৰণজাল চকুত পৰিলে যেনেদৰে চকুত চমক লাগে সেইদৰে প্ৰতীচ্যৰ পথেদি-ভাৰতীয় নাৰীৰ চকুত পাশ্চাত্য নাৰীস্বাধীনতাৰ তীব্ৰ কিৰণ সম্পাত হোৱাত তেওঁলোকৰ চমক লাগিছে। সেয়েহে দেখা যায়, যে আজি হিতোতাই নিজৰ স্বাধীনতা আৰু পুৰুষৰে সৈতে সমান অধিকাৰ ঘোষণা কৰিবলৈ ৰাওঁতে অজ্ঞাতসাৰে নিজৰ নাৰীত্বকেই অস্বীকাৰ কৰিবলৈ ওলাইছে! পশ্চিমীয়া বাহ্যসী সভ্যতাৰ ৰঙ্গিন নিৰ্ব্বিচাৰে বৈ আজি ভাৰতীয় বিদ্ৰোহিনী নাৰীয়ে সমাজত এটি বিপ্লৱ উপস্থিত কৰিলে

ভাৰতীয় সভ্যতাই প্ৰতীচ্যৰ সভ্যতাবে সৈতে যুগত তিষ্ঠাটো টান হৈ পৰিব।

অকল নাৰীয়েহে যে এই বিপ্লৱত যোগ দিছে এনে নহয়; পাশ্চাত্য সভ্যতাধিষ্ট আধুনিক বহু পুৰুষেও সমাজ সংস্কাৰৰ দুৰাকাঙ্ক্ষা মনত লৈ এই বিপ্লৱত নেতৃত্ব কৰিছে। দুষ্কাল পৰণলনত হৈ থাকিলে জাতিৰ মনৰ স্বাধীনতাও ফিৰে লোপ পায়, তাক এই কথাবপৰা বুজিব পাৰি। পাশ্চাত্য শিক্ষাভিমানীৰ আজি মনৰ ইমানখিনি স্বাধীনতাও নাই যাৰ বলত তেওঁ নিজৰ ভাৰতীয় সভ্যতাৰ স্বতন্ত্ৰ ভূমিকেনিবে (Standard) পছিমৰ আদৰ্শ জুখি চাই মূল্য নিৰূপণ কৰিব পাৰে!

পাশ্চাত্য শিক্ষাভিমানিনী হিতোতাই আজি পুৰুষেৰে সৈতে সকলো ফালে প্ৰতিযোগিতাত অৱতীৰ্ণা হৈছে—যদিও শ্ৰেষ্ঠতা নহলেও অন্ততঃ পুৰুষেৰে সৈতে সমান এইটো প্ৰতিপাদন কৰিবলৈ। পুৰুষৰ অধিকাৰবোৰ নগৈ যদিও ক্ষেত্ৰতে যে নিজৰ স্বাতন্ত্ৰ্য ৰক্ষা কৰি নাৰীয়ে নিজৰ গৌৰৱ ঘোষণা কৰিব পাৰে তাৰে চকুৱে দিয়া নাই। স্বাধীনতা-প্ৰয়াসী 'নাৰীয়ে আজি নিজৰ স্বাতন্ত্ৰ্য বিসৰ্জ্জন দি পুৰুষ কাম কৰিহে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিবলৈ চেষ্টা হৈছে। নাৰীয়ে বুজি চোৱা উচিত যে মিজন বীৰ সৈনিকে সম্মুখ সমৰত হেজাৰ শত্ৰুক নিপাত কৰিলে যুদ্ধক্ষেত্ৰত শত শত আহত যুঁজাকৰ শুশ্ৰূষা কৰাত নিয়তা নাৰী তেওঁতকৈ কোনো অংশে নিকৃষ্টা নহয়। পুৰুষৰ নিৰ্ম্মম বীৰত্ব, আৰু দুৰ্দ্ধৰ্ষ শৌৰ্য্যতকৈ নাৰীৰ কমনীয় কৰুণা যাৰ অনুপম সহনশীলতা কোনো অংশত হীন নহয়। যাচত কথা, নাৰীৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিবলৈ হিতোতাই পুৰুষৰ দৰে সঙ্গীনযুক্ত বন্দুক কান্ধত লব নালাগে, পুৰুষৰে সৈতে সমানে ঘোঙৰদৌৰত প্ৰতিযোগিতা কৰিব নালাগে, টেনিছ খেলাও খেলিব নালাগে। নাৰীৰ সুকীয়া জগৎ আছে যত নাৰী একচত্ৰী ৰাজ্ঞী। পুৰুষৰ ক্ষেত্ৰলৈ গৈ নাৰীয়ে পুৰুষেৰে সৈতে সমানে খোজ কাঢ়িবও যে নোহাবিব ইহা কথা।

বঙ্গীয় মহানাৰী সম্মেলন প্ৰভৃতিত বক্তৃতা আৰু প্ৰস্তাৱ আদিত পুৰুষৰ বিৰুদ্ধে নাৰীৰ বিদ্ৰোহ পাশ্চাত্য

ৰীতি-অনুসাৰে চলাবৰ উদ্যোগ দেখা যায়। এই সম্মেলনৰ কাৰ্য্য-কলাপলৈ মন দি চালে, পুৰুষৰ ওপৰত নাৰীৰ অনাস্থাৰ ভাবটো চকুত নপৰাকৈ নাথাকে। মিউনিচিপালিটি, ব্যবস্থাপক সভা প্ৰভৃতিত নাৰীৰ যথোচিত অধিকাৰ ৰক্ষাৰ দাবী কৰা হৈছে। মুছলমান শিখ আদি সংখ্যালঘিষ্ঠ সম্প্ৰদায়ৰ দৰে নাৰীজাতিৰ বাবে ব্যবস্থাপক সভাত নিৰ্দ্দিষ্টসংখ্যক স্থান দিয়া হৈছে। কিন্তু এইবোৰ প্ৰস্তাৱে আচলতে কোনো উদ্দেশ্য সাধনত সহায় নকৰে। ওপৰৰ কথাখিনি বুজাত যেন কোনেও ভুল নকৰে। এইটো কোনো চিন্তাশীল মানুহেই নকব যে কোনো তিৰোতাবেই ব্যবস্থাপক সভা, মিউনিচিপালিটি প্ৰভৃতিত প্ৰবেশ কৰিবৰ যোগ্যতা নাই, নাইবা তেনেকুৱা সভাত কোনো তিৰোতাকেই স্থান দিব নালাগে। ওপৰৰ কথাখিনিত এইটো যাথোন কোৱা হৈছে যে পুৰুষৰ অবিশ্বাস কৰি নাৰীয়ে যদি ফেৰ পাতি সংখ্যানুপাতে ব্যবস্থাপক সভা আদিত স্থান পোৱাৰ দাবী কৰে তেনেহলে সেই দাবী সকলো জ্ঞানী মানুহেই অনাবশ্যক অশোভন আৰু অকল্যাণকৰ'বুলি বিবেচনা কৰিব। স্বাভাৱিকতে কিছুমান নাৰীয়েও উল্লিখিত সভাবিলাকত প্ৰবেশ লাভ কৰিব। তেতিয়া সেইবিলাক সাধাৰণ নিয়মৰ ব্যতিক্ৰম বুলি গণ্য কৰাহে যুক্তিসঙ্গত হব।

অকল বঙ্গদেশতেই নহয়, সমগ্ৰ ভাৰতবৰ্ষতেই তিৰোতাৰ মনৰ গতি ওপৰত কোৱাবদৰে কম বেছি পৰিমাণে ঢাল খোৱাৰ চিন্ দেখা যায়। পৰ্দ্দাৰ ঔৰত থকা ভাৰতীয় তিৰোতাই শিক্ষিতা হৈ যেতিয়াই প্ৰতীচ্যৰ 'সভ্যতাৰ' বাণী শুনিবলৈ পালে তেতিয়াই সেই সভ্যতাবে সৈতে সখী বান্ধিলে। সেই সভ্যতাৰ বেহক্ষণ ভালদৰে চাই লবলৈকো তেওঁলোকৰ ধৈর্য্য নহল। তেতিয়াৰ পৰাই তিৰোতাই মহৰ্ষি মনুৰ নামত জুই এডালি খেৱা নিদিয়াত পৰিল আৰু হিন্দুসমাজৰ অংশৰ প্ৰকাৰে গালি-শপনি পাবিবলৈ ধৰিলে। অনাৰশ্যক লবালৰি ফলত তিৰোতাসকলে এটি চিৰন্তন সত্য কথা মনত ৰাখিব নোহাৰিলে। ঋষি যুগৰ হিন্দুসমাজৰ নেতাসকলে এইটো ভালকৈ বুজিছিল যে সামাজিক স্বাৰ্থতেই ব্যক্তিৰ স্বাৰ্থ। গতিকে তেওঁলোকে

অহোপুরুষার্থ কবি সমাজত শান্তি আৰু শুখলা বাখিবলৈ আৰু সমাজৰ কল্যাণ কৰিবলৈ চেষ্টা কৰিছিল। সমাজত শান্তি বাখিবলৈ যদি সেই কালত তিৰোতাৰ স্বাধীনতা সম্বন্ধে বিশেষ ব্যৱস্থা কৰিবলগীয়া হৈছিল, তেনেহলে বৰ্ত্তমান যুগৰ মাপকাঠিকে জুখি চাই সেইবোৰ ব্যৱস্থা পক্ষপাতিতাদুষ্ট বা অযৌক্তিক বুলি মত প্ৰকাশ কৰাটো সমীচীন নহব। কোনোৱেই সম্পূৰ্ণৰূপে দোষমুক্ত হব নোৱাৰে। সেই কাৰণ স্মৃতিকাৰ সকলৰ ব্যৱস্থাও সম্পূৰ্ণৰূপে দোষমুক্ত নাছিল। কিন্তু মহৰ্ষি মনু প্ৰভৃতি ধৰ্ম্মশাস্ত্ৰকাৰসকল সৰ্ব্বাংগনা স্বাৰ্থপৰ ব্ৰাহ্মণ যে নাছিল ই নিঃসন্দেহ।

নবনাৰীৰ স্বাৰ্থ যে অভিন্ন তাক কোনো চিন্তাশীল মানুহেই অস্বীকাৰ কৰিব নোৱাৰে। নাৰীয়ে যদি নিতান্ত পুৰুষক বিশ্বাস কৰিব নোৱাৰে তেন্তে পুৰুষৰ নিৰ্ব্বন্ধে এদিনাখন 'সত্যাগ্ৰহ' চলালেই প্ৰকৃতে এসকা পাই যাব। মহ মাৰিবলৈ কল-কামানৰ প্ৰয়োজন জানো?

স্বাধীনতা কি বস্তু তাক ভালেকৈ হৃদয়ঙ্গম নকৰিয়েই বহুতে 'স্বাধীনতা লাগে' 'স্বাধীনতা লাগে' বুলি চিঞৰি দশোদিশ প্ৰতিধ্বনিত কৰিছে আৰু উচ্ছৃংখলতাকে স্বাধীনতা বুলি ভাবি সাৱটি ধৰিছে। কোনো প্ৰকাৰ নিয়মক নামানি চলাটোৱেই স্বাধীনতাৰ অবস্থা নহয়। গোটেই বিশ্বই কেতবিলাক নিয়ম মানি চলিছে। এইবিলাক নিয়মক আমি Laws of Nature আখ্যা দিব পাৰোঁ। আমিও এই Laws of nature মানি চলিব লাগিব। আত্মাই স্বভাৱতে এইবিলাক নিয়ম মানি চলে। এইটো আচলতে স্বাধীনতা অৰ্থাৎ আত্মাৰ (higher self) অধীনতা। এই নিয়ম আচল নিয়ম। আমি অজ্ঞানতাবশতঃ এইবিলাকক উন্নতিৰ পৰিপন্থী বাঙ্কোন বুলি ভাবোঁ। আচলতে, এই বিলাক নিয়ম মানি নচলিলে আত্মাৰ কল্যাণ নাই। গতিকে, বিবিলাকে আত্মাৰ এই নিয়ম বোৰলৈ আওকাণ কৰি মনৰ লেকাম এৰি দি মনৰ কথা মতে চলে, তেওঁলোকে মৰুভূমিত পানী বুলি মৰীচিকাৰ পাছে পাছে লৰে— তেওঁলোকে স্বাধীনতাৰ ঠাইত উচ্ছৃংখলতাক বৰণ কৰে। এই দৃষ্টিৰে চালে দেখা যাব যে আধুনিক উচ্চশিক্ষিতা ভাৰতীয় তিৰোতাই ইউৰোপীয় স্ত্ৰী-স্বাধীনতাৰ মোহমন্ত্ৰ প্ৰভাৱত পৰি নিজক যিমান পৰাধীনা বুলি ভাবিছে আচলতে তিমান পৰাধীনা নহয়।

গোটেই বিশ্বৰে দৈতে নিজৰ উন্নতি ঘনিষ্ঠভাবে জড়িত। এই বিশ্বব্ৰহ্মাণ্ডত সকলো অংশতে সঙ্গতি আৰু ঐক্য আছে। গতিকে বিশ্বৰ উন্নতিয়েই নিজৰ উন্নতি। গোটেই বিশ্ব উন্নতি প্ৰবাহৰ লগত সামঞ্জস্য বাখি চলিলেহে নিজবো প্ৰকৃত উন্নতি হব। বিশ্ব সঙ্গীতৰ লগত সঙ্গতি বাখি তালে তালে খোজ কাঢ়ি চলিলেহে প্ৰকৃততে উন্নতিৰ পথত আগবঢ়া হব। গতিকে নতুন কিছুমান পৰিবৰ্ত্তন কৰিলেই যে উন্নতিৰ বাটত আগবঢ়া হব এই ধাৰণা ভ্ৰমাত্মক। এই দৃষ্টিৰে চালে, দেশ কাল পাত্ৰৰ বিবেচনাহীন অপেক্ষা নকৰি গাভৰু ছোৱালীক 'পাৰ্ল্লিক' বক্তৃমঞ্চক নৃত্যগীত কৰিবলৈ দিয়া প্ৰভৃতি কাৰ্য্য সমৰ্থনযোগ্য নিশ্চয় হব। মনুষ্য জীৱনত নৃত্যগীতৰ স্থান বহু উচ্চত। গাভৰু ছোৱালীয়ে এই দুটি ললিতকলাৰ চৰ্চ্চা কৰাটোও দোষনীয় কথা নহয়। কিন্তু সৰ্ব্বসাধাৰণৰ সমক্ষে গাভৰুকণকলে নৃত্যকৌশল দেখুৱাব আগতে চাব লাগিব এই নৃত্যক যথোচিত মৰ্য্যাদা দিব পাৰা দৰ্শকৰ সংখ্যা কিমান, আৰু নৃত্যকলাৰ মোহমুগ্ধ মানুহৰ সংখ্যা সমাজত কিমান। বেউনা সন্ন্যাস ব্ৰত বোৱাৰী আছিল। তেৰেঁ নাচিছিল। কিন্তু নাচিছিল ক'ত? নাচিছিল দেৱাদিদেৱ মহাদেৱৰ আগত—দেৱসভাত। এইটো বক্ষণশীলতাৰ মনোভাব নহয়। নাৰীপ্ৰগতি আগবঢ়োৱা সকলে যাতে আগ পাছ যুগুনি উন্নতি কৰিবলৈ গৈ অবনতিৰ খালত নপৰে তাৰ বাবেহে এনেদৰে বিবেচনা কৰা আৱশ্যক। বিবিলাক নিয়ম কোনো কাল্পনিক আৰ্দ্ৰ (Utopian) সমাজতহে চলিব পাৰে সেইবিলাক নিয়মক অসম্পূৰ্ণতাৰে ভৰা সমাজত ব্যৱহাৰিক (Practical) জগতত চলাবলৈ গলে কদাপি কল্যাণ নহব। যুবক যুবতীৰ অবাধে চলাফিৰা সমাজৰ কোনো উচ্চস্তৰত সম্পূৰ্ণ সম্ভব আৰু নিৰাপদ হব পাৰে; কিন্তু এই নিয়ম সমাজৰ সকলো অংশতে চলাবলৈ গলে প্ৰমাদ ঘটিব। ৰবী ঠাকুৰৰ পৰিবাৰৰ ভিতৰত যি নৃত্যকলাৰ অনুশীলন সম্ভব তাকেই পাৰ্ল্লিক বঙ্গালয়ত সম্ভব কৰিবলৈ গলে ডাঙৰ ডাঙৰ

সকলো নিয়মকে দেশ কাল পাত্ৰৰ বিবেচনা পূৰ্ব্বক প্ৰয়োগ কৰিব লাগে—এই সত্যটি পাহৰা উচিত নহয়।

পুৰুষৰে সৈতে সমানে ফেৰ পাতি ভাৰতীয় নাৰীয়ে পুৰুষৰ ক্ষেত্ৰলৈ গৈ বিজয় নিছান উৰুৱাবৰ বৃথা চেষ্টা যিদৰে কৰিছে সেইদৰে পুৰুষৰ উচ্ছৃংখলতা দেখি সেই উচ্ছৃংখলতাৰ দাৰীও নাৰীয়ে নকৰাকৈ থকা নাই! পুৰুষৰ শোচনীয় নৈতিক অবনতিৰ ফালে আঙুলিয়াই তিৰোতাই যদি উচ্ছৃংখলতাৰ অধিকাৰ বিচাৰে, তেনেহলে এটি বৰ ডাঙৰ ভুল কৰা হব। পুৰুষে কোনো দোষ কৰিলে সমাজে লঘু শাস্তি দিয়ে নাইবা মুঠেই শাস্তি নিদিয়ে। তিৰোতাই দোষ কৰিলে হলে সমাজে কঠোৰ শাস্তিবিধান কৰে; সেইবাবে তিৰোতাহে সামাজিক শাস্তিবপৰা বেহাই পোৱা উচিত। এই যুক্তি যে ভ্ৰমাত্মক তাক চিন্তাশীল মানুহ মাত্ৰেই কব। বৰং, পুৰুষৰ উচ্ছৃংখলতা যাতে দূৰ হয় তাৰ বাবেহে নাৰীয়ে জোৰ কৰা উচিত। আৰু এটি কথা। কোনো এটি কাম পুৰুষৰ বাবে যিমান দোষনীয় তিৰোতাৰ বাবে তাতকৈ বেছি দোষনীয় হোৱাটো একো আচৰিত কথা নহয়। কোনো এটি কাম পুৰুষে কৰিলে সমাজৰ যিমান অনিষ্ট হব, তিৰোতাই সেই কামটো কৰিলে সমাজৰ তাতকৈ বেছি অনিষ্ট হব পাৰে। এই কাৰণেই চৰিত্ৰহীন পুৰুষতকৈ চৰিত্ৰহীনা নাৰীয়ে বেছি সামাজিক দণ্ড ভোগ কৰে।

সকলো আন্দোলনৰ মূলতেই সাহিত্য। বৰ্ত্তমান নাৰী-প্ৰগতিৰ বাবেও আধুনিক সাহিত্য বিশেষৰূপে দায়ী। সাহিত্যৰ মাজেদি 'Art for art's sake' এই কথাব দোহাই দি সমাজত বহুতে দুৰ্নীতিৰ প্ৰচাৰ কৰিবলৈ অবকাশ পাইছে। বিশ্বব্ৰহ্মাণ্ডৰ সকলো বস্তুৰেই এক অচ্ছেদ্য সম্বন্ধেৰে জড়িত। আৰ্ট অকলে থাকিব নোৱাৰে। Morality আদিব লগত ইয়াৰ নিশ্চয় ঘনিষ্ঠ সম্পৰ্ক আছে। সত্য, সুন্দৰ আৰু মঙ্গল এই তিনিওটাৰ ভিতৰত অতি ওচৰ সম্বন্ধ আছে। যি যথাৰ্থতে সত্য, সি সুন্দৰ আৰু মঙ্গলো। উল্লিখিত শ্ৰেণীৰ লেখকসকলে এই কথাটি পাহৰা উচিত নহয় আৰু তেওঁলোকে মনত ৰখা উচিত যে সমাজৰ কল্যাণ সাধনতেই তেওঁলোকৰ লেখনী ধাৰণৰ সাৰ্থকতা। ইবচেন পন্থী, উহাইল্ড পন্থীসকলৰ দুৰ্নীতি-পূৰ্ণ 'বিয়াদিষ্টিক আৰ্ট'ৰ সাহায্যত নাৰীপ্ৰগতি বিপথত চলিছে। যৌবনৰ মাদকতাত আগ পাছ নুযুগি বিগাসিতাৰ সোঁতত গা এৰি দিবৰ দি এটি বাসনা মনৰ কোণত লুকাই আছে, সেই বাসনাৰ তাড়নাত কাম কৰিবলৈ সহজ কৰি দিছে এই শ্ৰেণীৰ সাহিত্যই।

বৰ্ত্তমান গোটেই ভাৰততে এটি ধৰ্ম্মহীনতাৰ ঢৌ বাগৰি গৈছে। পাশ্চাত্যশিক্ষাই যে কেনে দ্ৰুতভাৱে মানুহৰ অন্তৰৰ পৰা ধৰ্ম্মভাব, ঈশ্বৰবিশ্বাস প্ৰভৃতি সংস্কাৰবিলাক আঁতৰাব লাগিছে তাক ভাবিলে আচৰিত হব লাগে। বিবিলাক ধৰ্ম্মনীতিৰ ওপৰত সমাজৰ স্থায়িত্ব নিৰ্ভৰ কৰে এই শিক্ষাই সেই বিলাক নীতিৰ মূলতেই কুঠাৰাঘাত কৰিছে। যি ধৰ্ম্মই মনুষ্যত্ব ধাৰণ কৰে সেই ধৰ্ম্মক নিঃসোঁচোচ পৰিত্যাগ কৰি ভাৰতীয় নবনাৰী আজি অধঃপতনৰ শেষ সীমাত উপনীত হৈছে। মানবসমাজৰ ধৰণীধাৰণ কৌটকুলীয়া ধৰ্ম্মনীতি,আৰু বিশ্বাসবিলাক পৰিত্যাগ কৰি আধুনিক পশ্চিমীয়া মতবাদবিলাক গ্ৰহণ কৰি ভাৰতীয় মানবসমাজ ক্ৰমে ধ্বংসৰ ফালে আগ বাঢ়ি লাগিছে। আধুনিক শিক্ষিতা নাৰীৰ অন্তৰত সতী, সীতা, সাবিত্ৰীৰ পূত চৰিত্ৰ কথাই আজি একো সাঁচ বহুবাব নোৱাৰে। এই শিথিল ধৰ্ম্মভাব বা নাস্তিকতাৰ কাৰণে ভাৰতীয় শিক্ষিতা নাৰীয়ে সতীত্ব, বিবাহ, মাতৃত্ব প্ৰভৃতিলৈ আগৰদৰে শ্ৰদ্ধা দেখুৱাব নোৱাৰাত পৰিছে। এই অবস্থাৰ চৰম পৰিণতি অতি ভয়াবহ। ই হৈছে পশ্চিমীয়া বিলাসিনী নাৰীৰ আবির্ভাবৰ সূচনা। ফ্ৰান্স আদি দেশত আজি নাৰীয়ে যি পথত চলিছে সেই পথত চলিলে ভাৰতীয় নাৰী হব—

"নহ মাতা, নহ বধূ, সুন্দৰী ৰূপসী
...নন্দনবাসিনী উৰ্ব্বশী"

পুৰুষ আৰু নাৰীৰ ভিতৰত আকৃতি আৰু প্ৰকৃতি উভয় বিষয়তে মৌলিক পাৰ্থক্য আছে। বিশ্ব-খনিকৰে আদিতেই তিৰোতা আৰু পুৰুষক এইদৰে পৃথকভাবে সৃষ্টি কৰিছে। অকল মনুষ্যজাতিৰ ভিতৰতেই যে স্ত্ৰী-পুৰুষ এনে ব্যবধান বাখিছে এনে নহয় ইতৰ জন্তু বিলাকৰ ফালে চকু দিলেও আমি এই কথাৰ ফটুকটীয়া প্ৰমাণ পাম। গতিকে নতুন যুগৰ জাগ্ৰতা নাৰীয়ে এই মূল কথাবাৰ পাহৰিলে নচলিব।

নারীর আকৃতি প্রকৃতির ফালে চকু দিলে এইটো ভালদরে প্রতীয়মান হয় যে যিবিলাক কামত অতিপাত দৈহিক শক্তির আবশ্যক সেইবিলাক কাম নারীর অপেক্ষাকৃত সুকুমার শাৰীৰৰ বাবে নহয়। সেইবোৰ কাম পুৰুষৰ দৃঢ়তৰ দেহৰ পক্ষেহে উপযোগী। গতিকে কোৱঁমৰা, হালবোৱা, সৈনিক হোৱা প্রভৃতি কাম নারীৰ অনুপযুক্ত। য'ত নির্ভীজ বিচাৰ বুদ্ধিৰ আবশ্যক, য'ত বিচাৰকৈ হৃদয়ৰ করুণা আদি সুকোমল প্রবৃত্তিবিলাক মননৈ আনিব নোৱাৰে, সেইবোৰ ঠাইও তিৰোতাৰ বাবে নহয়। স্রষ্টাই মাতৃত্বৰ অর্থাৎ সন্তানজননৰ সবহখিনি দুখ-কষ্টকেই নারীৰ ওপৰত দিছে আৰু এইবাবে নারীয়ে জীৱনৰ বহুখিনি সময় ঘৰত থাকি কষ্টাব লাগিব। তাত বাজে বন্ধা-বঢ়া, বোৱন-কাটন প্রভৃতি কার্য্যও নারীৰ বাবেহে। ফলত, বাজনৈ গৈ চাকৰি কৰা, নারীৰ পক্ষে সহজসাধ্য আৰু সুবিধাজনক নহয়। তদুপৰি, নারী আৰু পুৰুষ উভয়ে চাকৰি কৰিলে ঘৰখনত যে সুখ আৰু শান্তি নাথাকিব তাক সহজে অনুমান কৰিব পাৰি। গিৰীয়েক দৈনিক দুয়োজনে আৱেলি কর্ম্মক্লান্ত দেহা লৈ আহি আৰাম-চকিত অৰ্দ্ধশায়িত অৱস্থাত থাকিলে কোনে কাৰ ক্লান্তি দূৰ কৰিব? উল্লিখিত কাৰণবোৰৰ বাবে এইটো সাধাৰণতঃ কোৱা হয় যে তিৰোতাৰ অধিকাংশ গৃহত আৰু পুৰুষৰ অধিকাৰ বহির্জগতত। বাস্তৱিকতে 'ভিতৰ চ'বা' আৰু 'বাহিৰ চ'বা' বুলি ক্রমে নারী আৰু পুৰুষৰ অধিকাৰৰ ভিতৰত পার্থক্যৰ ৰেখা টনাটো সহজ নহয় 'আৰু তেনে কৰিলে ভুল বুজাৰ যথেষ্ট আশঙ্কা আছে। তথাপি এনেদৰে বিভাগ কৰাৰো বহু মূল্য আছে। সমাজত শান্তি আৰু সুশৃঙ্খলতা ৰাখিব লাগিলে এনেদৰে কার্য্যৰ বিভাগ (division of labour) কৰাটো আবশ্যক হৈ পৰে।

নারীয়ে কিদৰে সংসাৰ যুদ্ধত পুৰুষৰ চিৰ-সহচৰীৰূপে কাম্বাৰ লগত ছায়াৰদৰে অহৰহ পুৰুষৰ অন্তৰাত্মা থাকি পুৰুষক সাহায্য কৰিব লাগে তাৰে চালেই পুৰুষৰ বহির্জগৎ আৰু নারীৰ গৃহ এনেদৰে বিভাগ কৰাটো যে চূড়ান্ত নিষ্পত্তি নহয় সি ওলাই পৰে। বস্তুতঃ সংসাৰ-কুৰুক্ষেত্রত নারীয়ে পুৰুষক সাহায্য নকৰিলে জীৱন-যুদ্ধত টিকা পুৰুষৰ পক্ষে টান হৈ পৰে। নারীক এৰিলে পুৰুষ নিকপায় আৰু পুৰুষ নহলে নারীও অসহায়। এটিৰ অভাৱত অইনটো অসম্পূর্ণ—অচল। দুয়ো যেন একেটা বস্তুৰেই দুটি ফাল। সেয়েহে হিন্দুশাস্ত্রত নারীক পুহুষৰ অৰ্দ্ধাঙ্গিনী বুলি কোৱা হৈছে। খৃষ্টানসকলৰ ধর্ম্মশাস্ত্র বাইবেলতো তিৰোতাক পুৰুষৰ এটি অংশৰপৰা উদ্ভূতা বুলি লিখিছে। বাস্তৱিকতে নারী আৰু পুৰুষৰ শক্তি সম্মিলিত নহলে মানৱ সমাজৰ উন্নতিয়ে বেগ দ্রুত হব নোৱাৰে। ওপৰৰ কথাবোৰ এইটো সহজ অনুমান কৰিব পাৰি যে আবশ্যক হলে নারী আৰু পুৰুষ এই কার্য্যক্ষেত্রৰ বিভাগক অতিক্রম কৰিবও লাগিব আৰু এইদৰে কার্য্যক্ষেত্রৰ বিভাগ এবিবৰ কাৰণ মাজে সময়ে উপস্থিত হব বুলিয়েই এই বিভাগ মূল্যহীন হব নোৱাৰে। কিন্তু সমাজৰ স্বাভাৱিক অৱস্থাত এইদৰে কার্য্যক্ষেত্রৰ গতি অতিক্রম কৰিলে তাৰ ফল শুভ নহব।

নারীৰ শিক্ষাৰ লগত জগতত নারীৰ আচল ঠাই কত এই প্রশ্নৰ ঘনিষ্ঠ সম্পর্ক থকা বাবে আমি প্রথমতে নারীৰ স্থান আৰু অধিকাৰ সম্বন্ধে আলোচনা কৰিলোঁ। এতিয়া চোৱা যাওক নারীৰ শিক্ষা কেনে ধৰণৰ হোৱা উচিত।

এযাৱত কব লাগিলে নারীৰৰ পূর্ণ প্রকাশেই স্ত্রী-শিক্ষাৰ চৰম উদ্দেশ্য হোৱা উচিত। তিৰোতাও মানুহ। গতিকে পুৰুষৰ দৰে মনুষ্যত্ব লাভেই নারীবো উদ্দেশ্য। পুৰুষে যেনেকৈ গীতোক্ত কর্ম্মযোগৰ সহায়েৰে কর্ম্ম ফলাকাঙ্ক্ষা নকৰি অনাসক্ত ভাৱে সংসাৰত কাম কৰি মনুষ্যত্বৰ পূর্ণপ্রকাশ বাবে চেষ্টা কৰে সেইদৰে নারীয়েও কর্ম্মযোগৰ সহায়েৰেই মনুষ্যত্বলাভৰ চেষ্টা কৰিব। অৱশ্যে নারীয়ে নারীত্বৰ পূর্ণপ্রকাশৰ মাজেদি মনুষ্যত্ব লাভ কৰিব। যদিও নারীত্ব বুলিলে মাতৃত্বৰ কথা তৎক্ষণাৎ মননৈ আহে তথাপি নারীত্ব আৰু মাতৃত্ব একে কথা নহয়। নারীত্ব আৰু মাতৃত্বৰ ভিতৰত অতি ঘনিষ্ঠ সম্বন্ধ আছে সচা, আৰু মাতৃত্ব যে নারীৰ শ্রেষ্ঠতম অংশ ইও সত্য কথা। কিন্তু বিদৰে সন্তানৰ জনক নোহোৱাকৈও পুৰুষৰ মনুষ্যত্বৰ পথত খোজ কাঢ়িব অধিকাৰ আছে, সেইদৰে নারীও সন্তানৰ জননী নোহোৱাকৈ মনুষ্যত্ব লাভ কৰিব পাৰে। গতিকে ভেঙৰ

তাত নারীত্বৰো কোনো বাধা নহয়ে। যদি মনুষ্যত্বৰ পথত তিৰোতাক সহধর্ম্মিণী নকৰিবৰ পুৰুষৰ অধিকাৰ আৰু সামর্থ্য আছে তেনেহলে তিৰোতাৰো সেইটো ক্ষমতা আৰু অধিকাৰ আছে। চিৰ কুমাৰ হোৱাটো যদি অন্যায় আৰু অসত্তব নহয়, তেনেহলে চিৰব্রহ্মচাৰিণী হোৱাটোও সম্ভব আৰু ন্যায় সঙ্গত। কিন্তু এনে ব্রহ্মচাৰিণীৰ আদর্শ যে সাধাৰণ সূত্রৰ ব্যতিক্রমহে মাথোন তাক মনত ৰাখিব লাগিব। কিয়নো সাধাৰণতঃ মাতৃত্বই জগতৰ আটাইবোৰ সুকুমাৰ বৃত্তি ভালদরে পৰিস্ফুট হব নোৱাৰে আৰু সেইবাবে, মনুষ্যত্ব সম্যক্রূপে বিকশিত হোৱাটো কঠিন হৈ পৰে। তদুপৰি চিৰকুমাৰীৰ আদর্শ সুকঠিন আৰু তাক সর্ব্বসাধাৰণে গ্রহণ কৰি নোৱাৰিব। প্রতীচ্যৰ মাতৃত্বক নেওচন দিয়া, সন্তান পালন কৰিবলৈ গবাঘুৱা আধুনিক বিলাসিনী নারীৰ আদর্শৰ দ্বাৰা ভাৰতীয় নারী-সমাজ বিসর্পিত হব বুলি ভয় কৰিছে এই কথাৰ অৱতাৰণা কৰা হৈছে।

আমি ওপৰত কৈ আহিছোঁ যে স্রষ্টাই আকৃতি আৰু প্রকৃতিত তিৰোতাক পুৰুষতকৈ বিশেষৰূপে বিভিন্ন কৰি সৃজন কৰিছে। গতিকে তিৰোতাৰ শিক্ষা-পদ্ধতিও স্বাভাৱিকতে বেলেগ ধৰণৰ হবই। ভাৰতীয় বৈশিষ্ট্য অক্ষুণ্ণ ৰাখি ভাৰতীয় আদর্শত তিৰোতাক শিক্ষিতা কৰি তুলিব লাগিব। এজনা ভাৰতীয় তিৰোতাই সতী নাইবা সীতাৰ চৰিত্র গৌৰৱ যি দৰে বুজিব পাৰিব, পোহৰ্ণা নাইবা মিৰাবাঈৰ আদর্শ তেনেদৰে গ্রহণ কৰিবলৈ টান পাব। বিভিন্নদেশৰ প্রাকৃতিক আৰু পাৰিপার্শ্বিক অৱস্থাৰ ভিন্নত্বত তাৰতম্য ধকাত সেইবোৰ দেশৰ সভ্যতাৰ আদর্শও অলপ বেলেগ ধৰণৰ হয়। গতিকে এই বিষয়টলৈ ভালদরে চকু ৰাখি শিক্ষা-পদ্ধতি প্রস্তুত কৰিব লাগিব।

ভাৰতবর্ষ ত্যাগৰ দেশ। শ্রীকৃষ্ণ, ভগৱান বুদ্ধ, প্রভৃতি যুগাৱতাৰ সকলে অতীতত আৰু মহাত্মা গান্ধী প্রমুখ মহাপুৰুষসকলে বর্ত্তমান নানাপ্রকাৰে ত্যাগৰেই মহিমা প্রচাৰ কৰি গৈছে আৰু কৰিব লাগিছে। বাস্তৱিকতে, এই সংসাৰৰ বস্তুমাত্রত ভাও দি ভোগৰ ভিতৰেদি কষ্ট-যোগৰ সহায়েৰে ত্যাগত উনীত হোৱাত বাজে গত্যন্তৰ নাই। এই সংসাৰ নাট-ঘৰ এবি গোকালয় পৰিত্যাগ কৰি বনলৈ গৈ স্বকীয় মুক্তি বিচাৰিলেও তাক পোৱাৰ তিমান আশা নাই। এই সংসাৰ-বিশ্ববিদ্যালয়ৰ পৰীক্ষাত উত্তীর্ণ হব নোৱাৰিলে, জীৱন যুদ্ধত জয়ী হব নোৱাৰিলে মনুষ্যত্ব-লাভৰ আশা কৰাটো বৃথা। কর্ম্মযোগৰ সহায়েৰেহে আত্মাৰ উপলব্ধি সহজ হব। ওপৰত কোৱা কথা কেইটা মনত ৰাখি আমি তিৰোতাৰ শিক্ষা পদ্ধতি এইদৰে প্রস্তুত কৰিব লাগিব যাতে তিৰোতাই বিষয় বাসনাক জয় কৰি ভবিষ্যত জীৱনত মানৱ সেৱাত নিষ্কামভাবে আত্ম-নিয়োগ কৰিব পাৰে।

প্রকৃত শিক্ষাই ছোৱালীৰ বহুমুখী মনোবৃত্তি-বিলাকৰ সম্যক্ বিকাশ সাধন কৰি সিহঁতৰ মাজত ঐক্যতা স্থাপন কৰিব। আজিকালি পাশ্চাত্য জগতত জার্ম্মান মনস্তত্ত্ববিৎ Freuid'ৰ কৃপাত বহু ঠাইত মানুহৰ মনত এনে এটি ধাৰণা জন্মিছে যে মানুহৰ মনৰ যাবতীয় প্রবৃত্তিক শাসন নকৰি সিহঁতক বাঢ়িবলৈ দিয়াতহে মনুষ্যত্বৰ বিকাশ। কিন্তু প্রকৃততে, মনৰ পাপ প্রবৃত্তিবিলাকক এইদৰে নিয়ন্ত্রণভাৱে স্বেচ্ছাচাৰী হবলৈ দিলে মনুষ্যত্ব বিকাশৰ পথত ডাঙৰ ভেঁটা দিয়াহে হব। প্রবৃত্তিবিলাকক একেবেলিয়েই মমিমুৰ কৰি মাৰিবলৈ চেষ্টা কৰা যেনে ভ্রমমূলক, দেইদৰে সিহঁতৰ 'উদং খাবলৈ এবি দিয়াটোও মাৰাত্মক ভুল। সিহঁতক সংযত শাসনৰ তলত ৰাখি নিজৰ বদ্ধত পৰিণত কৰাটোহেই আচল শিক্ষাৰ উদ্দেশ্য।

প্রকৃত শিক্ষাই তিৰোতাৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক তিনিও বিষয়ৰ উন্নতিসাধন কৰিব। শাৰীৰিক উৎকর্ষ সাধন কৰিলেও এই শিক্ষাই তিৰোতাক মল্ল ক্রীড়াত সুনিপুণা নাইবা যুদ্ধক্ষেত্রত বন্দুক ধৰিবলৈ পাৰদর্শিনী কৰিবলৈ নিবিচাৰে। কিয়নো পুৰুষৰ স্বাভাৱিক দৈহিক শ্রেষ্ঠতাৰ ওপৰত সেইবোৰ কাম পুৰুষৰ অধিকাৰতহে পৰিছে। কিন্তু আত্মৰক্ষাৰ চেষ্টা যাতে কৰিব পাৰে তাৰ বাবে 'যুযুৎসু' আদি কৌশল শিকাত এই শিক্ষাই বাধা নিদিব। কিন্তু এইটো ঠিক যে তিৰোতাই যিমানেই

আত্মৰক্ষাৰ কৌশল শিক্ষা কৰক, নাৰীজাতিক ৰক্ষা কৰিব লাগিব পুৰুষেই। যাতে স্বাস্থ্যৱতী আৰু বীৰসন্তানৰ জননী হব পৰে তাৰ বাবে হে প্ৰকৃত শিক্ষাই যথোচিত বন্দোবস্ত কৰিব!

এই শিক্ষাই তিৰোতাক পুৰুষৰ প্ৰকৃত সাহায্যকাৰিণী আৰু সহধৰ্ম্মিণী কৰিব। শিক্ষিতা তিৰোতা স্বামীৰ গলগ্ৰহ স্বৰূপা নহৈ স্বামীৰ গৃহবিভাগৰ কৰ্ত্ৰী স্বৰূপাহে হব। সুশিক্ষাৰ পৰা তিৰোতাই বিনয়, দয়া, কৰ্ম্মকুশলতা, ত্যাগ প্ৰভৃতি গুণবিলাক লাভ কৰিব। লাগিলে পৰৰ কাৰণে দেশৰ কাৰণে আত্মবিসৰ্জ্জন পৰ্য্যন্ত কৰিবলৈ এই শিক্ষাই তিৰোতাৰ মনত বল দিব। এই শিক্ষাৰপৰা তিৰোতাই শৃঙ্খলতা ঈশ্বৰবিশ্বাস প্ৰভৃতি সদ্‌গুণ বোৰ লাভ কৰিব।

বৰ্ত্তমান সময়ত ছোৱালীক স্কুলত দিয়াৰ সম্বন্ধে প্ৰতিকুল মত প্ৰকাশ কৰা মানুহৰ অভাৱ নাই। তেওঁলোকে কয় যে স্কুলত দিয়াৰ পৰা ছোৱালীৰ নৈতিক অৱনতি হে ঘটিছে। এইটো অৱশ্যে সঁচা যে আজিকালি লৰাৰ শিক্ষাকেই ছোৱালীকো দিয়া হৈছে আৰু বৰ্ত্তমান শিক্ষা-পদ্ধতিত অলেপ দোষ আছে। কিন্তু অকল স্কুলৰ শিক্ষাই যে ছোৱালীৰ নৈতিক চৰিত্ৰ গঠন কৰিব নোৱাৰে ই ধ্ৰুৱ সত্য। বৰঞ্চ, ছোৱালীৰ নৈতিক চৰিত্ৰ গঠন, ছোৱালীৰ ঘৰ, মাক বাপেক আৰু পাৰিপাৰ্শ্বিক সামাজিক অৱস্থাৰ ওপৰতহে ঘাইকৈ নিৰ্ভৰ কৰে। ছোৱালীৰ নৈতিক অৱনতিৰ আৰু স্কুলৰ শিক্ষাৰ সদ্ব্যৱহাৰ কৰিব নোৱাৰাৰ মূলতেই যে আধুনিক হিন্দু সমাজৰ দূষিত নৈতিক "আবহাৱা" তাক কোনে অস্বীকাৰ কৰিব? এটা ভীষণ ধৰ্ম্মহীনতা (podlessness) ৰ ব্যাধিয়ে হিন্দু সমাজক ধ্বংসৰ পথলৈ যে দিনক্‌দিনে নিছে তাক কোনে নুই কৰিব? সমাজৰ নৈতিক 'অৱস্থা' স্বাভাৱিক অৱস্থালৈ নাহিলে স্কুলৰ শিক্ষাই যে ছোৱালীৰ বিশেষ একো উপকাৰ কৰিব নোৱাৰে ই ধ্ৰুৱ। স্কুল, গৃহ আৰু সমাজ তিনিও ঠাইতেই সুশিক্ষাৰ অনুকূল অৱস্থাৰ সৃষ্টি নহলে যে শিক্ষাদান কাৰ্য্য বিড়ম্বনা মাত্ৰ ই অতি সচা কথা। জ্ঞানলাভৰ বাবে তিৰোতাৰ উচ্চশিক্ষাৰ পথ অৱৰুদ্ধ হব নোৱাৰে; কিন্তু চাকৰি কৰা নাৰীৰ পক্ষে সুবিধাজনক নহয় বাবে অৰ্থকৰী উচ্চশিক্ষাৰ পথ নাৰীৰ কাৰণে তিমান সুপ্ৰশস্ত নহয়।

আনন্দৰাম লাইব্ৰেৰী

(সংগ্ৰহ)

—শ্ৰীযুত উপেন্দ্ৰচন্দ্ৰ লেখাৰু বি-এ

১। ৺ৰাম সৰস্বতীৰ ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ—

স্বপ্নাধ্যায় খণ্ড আমাৰ হাতত পৰিছেহি। ই এটি সামান্য আধ্যা হলেও ইয়াৰ পৰা ভাবিব পাৰি যে কবিবৰ ৰাম সৰস্বতীয়ে সম্পূৰ্ণ পুৰাণ খন অসমীয়া পদলৈ ভাঙিছিল।

অধ্যায়ৰ শেষত আছে :—

"ভণে দ্বিজে সুতে নাথে বৈৱৰ্ত্ত পুৰাণ।
শুনা সৰ্ব্বজন আৰু হুয়া সাৱধান॥
ধৰ্ম্মৰাজা হয় নাৰায়ণ নৃপবৰ।
কলিযুগে নৃপতি মহন্ত বীৰবৰ॥
কৃষ্ণৰ পসাদে সদা হৌক জয় জয়।
যাহাৰ প্ৰসাদে নিবন্ধিলো পদচয়॥
কহে ৰাম সৰস্বতী এৰা আন কাম।
সমস্তে সমাজে ডাকি বোলা ৰাম ৰাম॥

ইয়াৰ পৰাই বুজিব পাৰি যে পণ্ডিত অগ্ৰণি পৰিশোভিত ৰজা নৰনাৰায়ণৰ সভাত এই পুঁথি ৰচিত হৈছিল।

২। সংস্কৃত ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ সাচিপাতত লিখা

৺চিদানন্দ ভূঞাৰ বংশৰ আগৰ ডেপুটী ইন্সপেক্টৰ স্বৰ্গীয় শশীধৰ বৰকাকতীৰ পুত্ৰ শ্ৰীযুত ৰমেশ চন্দ্ৰ বৰকাকতী দেৱৰ অনুগ্ৰহত এই পুথি পোৱা হৈছে। সংস্কৃত ব্যাখ্যাৰে সৈতে আছে। কিন্তু সম্পূৰ্ণ পুঁথি নোপোৱাত আৰু আন পুঁথি চাবলৈ সুবিধা নোপোৱাত লিখকৰ পৰিচয় পাব পৰা নাই।

৩। সংস্কৃত ভাগৱত অষ্টম স্কন্ধ (সংস্কৃত ব্যাখ্যাৰে সৈতে) উক্ত শ্ৰীযুত বৰকাকতী দেৱৰ পৰা পোৱা। কাৰ ব্যাখ্যা ধৰিবলৈ সুবিধা হোৱা নাই। আধ্যাৰ অন্তে অন্তে "হৰি ৰাম নাৰায়ণ"—"কলিত নামেসে গতি"—"কৈত পাইবো প্ৰাণ গোপাল আমি, হৰাইলো অৰুণ স্বামী" আদি আছে। আখৰ বিলাক পুৰণি কাইথালি (নিৰ্ভাজ)। কোনোবা শ্ৰীপূৰ্ব্বনাৰায়ণে ১৭৬১ শকত এই পুথি লিখে। স্কন্ধৰ শেষত আছে :—

ইন্দ্বল্যঙ্ঘ্ৰ্যাদ্ৰিচেন্দৌ (অৰ্থাৎ ইন্দু ১, আলি+অঙ্ঘ্ৰি

৬, অদ্ৰি—৭, ইন্দু ১,) বিধু সুত দিবসে (বুধবাৰে) শ্ৰীপূৰ্ব্বনাৰায়নঃ। ব্যালেখিদ্ধৰ্ম্মশাস্ত্ৰং। • • •

৪। লীলাৱতীৰ অঙ্কপুঁথি (সাঁচি পাতৰ) কাইথালি সম্পূৰ্ণ পোৱা নাই। (শ্ৰীযুত বৰকাকতীৰ পৰা পোৱা) ইয়াত প্ৰথমৰ পৰা ২৪ পৃষ্ঠালৈহে আছে। কোনে লিখিছে ধৰিব নোৱাৰি, এঠাইত মাথোন আছে—"শ্ৰীষ্টিৰ দাসে কয় এহি সে বিচাৰ।" কোনো সৃষ্টিৰাজেও এই পুথি লিখিব পাৰে। অঙ্কবিলাক কোনোৱে কেতিয়াবা প্ৰকাশো কৰিব পাৰে; আমাৰ জনা নাই। পৰিচয় দিবৰ কাৰণে তলত তিনটি অঙ্ক দিয়া হ'ল :—

(১)

"দোগোটা মনুষ্য গৈলা বানিজক মনে।
কিছু কিছু ধন নিলা পৰম যতনে॥
লেখিয়া চাহিলা পুনু যাহান্তে পথত।
তিনি গোটা বঢ়া ভৈলা একৰ হাতত।
যত যত টকা নিয়া বাণিজ কৰিল।
একৈকতে তত লাভ দুহানো লভিল॥
গৃহে আসি তাৰা পাচে লিখিয়া চাহিল।
একাধিক সাতকুৰি একৰ বাঢ়িল॥
কহিয়া কায়স্থ সব লেখা কৰি মনে।
কোনে কত ধন নিলে বানিজক মনে॥

(২)

চাৰিচোৰ এক গৃহস্থৰ ৰূপ চুৰ কৰি আনি এক বুঢ়ীৰ হাতত দিলে। পাচে তাৰে এটা গৈ চাৰি ভাগ কৰিলে, ১টা ৰূপ বাঢ়িল। সেইটো বুঢ়ীক দিলে, এক ভাগ সি আনিলে তিনিভাগ থৈ আহিল। ক্ৰমে ক্ৰমে চাৰিউ আনিলে বঢ়াটো তাইক দি আহে কেতেক ৰূপ আনিলে?

(৩)

এক ৰাজাৰ দেশত এক সদাগৰ বেহা কৰিবলৈ গ'ল; ৰাজাৰ চাৰিখান দুৱাৰ একোখানত দ্বাৰি দুটাকৈ। তাৰে এটাদি ভিতৰলৈ সোমায়। যেতটি হাতত যায় সমানে এভাগ ৰজা লয় আদখিনি থাকে। তাৰে এটা ইটো দুৱৰিক দি ওলাই যায়। এনেদৰে চাৰিউ দুৱাৰে কৰে। শেষত সদাগৰৰ হাতত এটা মাত্ৰ ৰব লাগে। সিদ্ধ অঙ্ক ৬১॥ ইত্যাদি এই অঙ্কবোৰৰ সিদ্ধান্তও পুথিত দিয়া আছে।

৫। হাজাৰি ঘোষা শ্ৰীশ্ৰীমাধৱদেৱৰ। স্বৰ্গীয় ৰাধাকান্ত সদৰামিনৰ ঘৰত পোৱা হয়। পুৰণি কাকতত লিখা। পাতবিলাকত মাজে মাজে চিত্ৰ আছে কাৰণে দেখনিয়াৰ বুলি ৰখা হৈছে।

ইয়াৰ বাহিৰেও তলত দিয়া পুথিবিলাক এতিয়ালৈকে গোট খাইছে :—

৬। সংস্কৃত—ৰত্নমালা ব্যাকৰণ—শ্ৰীযুত ব্ৰজনাথ শৰ্ম্মা কবিৰাজৰ অনুগ্ৰহত।

৭। দশম (মধ্য) শ্ৰীযুত ৰমেশচন্দ্ৰ বৰকাকতী দেৱৰ পৰা।

৮। ভক্তিৰত্নাৱলী—স্বৰ্গীয় সুকুমাৰ মহন্তৰ ঘৰত পোৱা।

৯। ৰামায়ণ (লঙ্কাকাণ্ড)—মাধৱকন্দলী—
৺কিণাৰামবৰুৱাৰ ঘৰৰ।

১০। ভীষ্মপৰ্ব্ব (অসম্পূৰ্ণ)—অসমৰ ৰাজনৈতিক
ভূগোলৰ লগত বালিত পোৱা।

১১। কীৰ্ত্তন (ঐ) ঐ

১২। কীৰ্ত্তন—শ্ৰীযুত ৰমেশচন্দ্ৰ বৰকাকতীৰ পৰা পোৱা।

১৩। ভগবদ্গীতা (সংস্কৃত)— ঐ

১৪। আদৰ্শ গীত সংগ্ৰহ?— ঐ ।•

দ্বিতীয় বছৰৰ আলোচনীৰ ৫ম সংখ্যাত—"আসামত বঙ্গীয় বৈষ্ণৱ কবিৰ গীত' বুলি এটি প্ৰবন্ধ শ্ৰীযুত সোণাৰাম চৌধুৰীদেৱৰ কাপৰ পৰা প্ৰকাশ হৈছিল। তেখেতে গীতাৱলী পুঁথি এখনৰ পৰাই সেই প্ৰবন্ধ লিখিছিল। তেখেতে ৰখা নকলৰ লগত এই পুথিখনিৰ সম্পূৰ্ণ মিল আছে দেখি তেখেতে দিয়া 'আদৰ্শ গীত সংগ্ৰহ' নামকে ৰখা হ'ল। কাৰণ পুথিখনিত নাম নাই। কোনোবা দামোদৰে এই পুথি সংগ্ৰহ কৰিছিল। কাৰণ শেষত লিখা আছে :—

মাঘেমাস্যশিতে পক্ষেন্যলিখৎ পুস্তকং শুভং। ভৌমবাৰে চতুৰ্থ্যান্তু নাম্না দামোদৰেণতু॥

এতিয়া এই দামোদৰ কোন ধৰা টান। অৱশ্যে অসমীয়াৰ ভিতৰত এই নামটো বেছি প্ৰচলিত। তেওঁ কোন পন্থী আছিল তাকো ধৰা টান। শ্ৰীশ্ৰীচৈতন্য সম্পৰ্কীয় গীত সংকীৰ্ত্তনৰ বাহিৰেও দেৱী বিষয়ক আৰু ঈশ্বৰ কৃষ্ণ সম্পৰ্কীয় গীত ইয়াত আছে। তাৰে ভিতৰতে কবি বিদ্যাপতিয়ে ৰজা শিৱসিংহ আৰু তেওঁৰ ৰাণীৰ সম্পৰ্কে লিখা গীত এটি আছে। গীতটি এই :—

ৰাগ তাল—

কো বিধি নিৰমিল বালা।
অপৰূপ ৰূপ মন ভব মঙ্গল ত্ৰিভুবন বিজয় মালা।
সুৰঙ্গ বদন চাৰু অৰুণ লোচন কাজৰে ৰঞ্জিত ভেল।
কনক কমল মাজে কাল ভুজঙ্গিনী শ্ৰীযুত খঞ্জন খেল।
নাভি বিবৰ সে ৰোমল তাৰিণী ভুজঙ্গিনী শ্যাম পিয়াসা।
নাশা খগপতি চঞ্চু ভৰম ভএ কুচগিৰি সাধ নিবাসা॥

• উক্ত শ্ৰীযুক্ত বৰকাকতীদেৱৰ ককাদেৱেকৰ দিনত সাতশ খনি পুথি আছিল হেনে। মানভগনিত, ঘৰ পোৱা জুইত বহুত নষ্ট হৈছো মানুহে পঢ়িবলৈ নিব বহুতপুনি ঘুৰাই নিদিলো তাতে তেখেত সকলৰ বংশৰে আন এজনৰ হাতত কিছুদিন থকাত অনাদৃত হৈ বহুত পুথি নষ্ট পালে। অৱশিষ্ট খিনি লাইব্ৰেৰীলৈ আনা হৈছে। —লিখক।

তিনবাণে মদন জিতল ত্রিভুবন অবধি বহল ধোবাণ।
বিধি বর দারুণ বদিতে বসিকজন সো বালা উরল নয়ন।
ভনহি বিস্থাপতি শুন বর যুবতি ইহ বস কোপি নজান।
বাজা শিবসিংহ রূপ নাবায়ণ লছিম দেবী পবমাণ॥

এই বিস্থাপতি কবি কোন ঠিক ধবা অলপ টান।
কিয়নো বজা শিবসিংহ সিংহাসনত উঠে ১৬২৩ শকত।
কিন্তু মিথিলাব কবি বিস্থাপতি শ্রীশ্রীশঙ্কবদেবব সমসাময়িক
বা তাব আগবে। হেনেহলত সেই বিস্থাপতিয়ে এই গীত
লিখা অসম্ভব। বজা শিবসিংহব সভাব পণ্ডিতেহে এই গীত
বচনা কবিছিল বুলি ধবিব লাগিব।

আৰু এজন কবিব নাম আছে আনন্দিবাম দাস তেওঁব
গীতটি এই :—

বাগ তাল—
কত ইন্দু উদিত বদনা।
বোহিত সবসিজ নয়না।
যাহাবে করুণা কব, তাহাবে কলুষ হব,
তপন তনয় তাবে লইনা।
ও পদপঙ্কজ বজে মন যাব নাহি মজে,
ভুকুতি মুকুতি তাবে হইনা।
আনন্দিবাম দাসে কাতব হৈইয়া ভাসে
চবণে শবণ তাবে লইনা।

আনন্দিবাম নাম অসমীয়াব ভিতবত বব প্রচলিত দেখা যায়।

ডুশটি গীত থকা এই পুথিখনিব আৰু ইয়াব কবি
সকলব বিশেষ পবিচয় পিছত দিবলৈ মন থাকিল।

১৫। সর্ব্বজয় কবচ। অসমীয়া পদত (সাঁচি পাত)
শ্রীযুত কুমুদবাম বড়া বি, এল দেবব পবা পোৱা।
শেষত আছে—"কহে বাম সবস্বতী এবা আন কাম।
শঙ্কবে বচিলা ডাকি বোলা বাম বাম॥"

শ্রীশঙ্কবদেব ধবিলে ইয়াব মীমাংসা কবিব নোৱাবি।
ভুল আছে হেনহে অনুমান হয়। পুথিখন সক দেখি তলত
দিয়া গল :—নমো নমো মহেশ্বব ত্রিপুব দাহক।
ত্রিজগতব পতি সর্ব্বভয় বিনাশক॥
নমো গণপতি প্রভু গৌবীদেবী সুত।
বান্ধিলো কবচ সিটো আতি অদভুত॥
সঙ্কট সময় ভৈলে শঙ্কবোক স্মবি।
পড়িবো ভকতিভাবে মহাজল কবি॥
কবচব মহিমা শুনন্তে অনুপাম।
সর্ব্বজয় কবচ বুলিয়া যাব নাম।
প্রলয় কালত কল্প প্রজা সংহবন্ত।
সেহিমতে মনুষ্যব দুর্গতি তবন্ত॥
ঘাটসন্ধি বিষ্টসন্ধি গ্রহাসন্ধি ভয়।
সর্ব্ববিঘ্ননাশক কবচ সর্ব্বজয়॥
মহেশ্বব গণপতি চবণক স্মবি।
সোণাব ঘাটত মই বৈলো বন্দি কবি॥
কবিলোহো বন্দি মই যতেক যুগুনি।
পবম সঙ্কট জি……মব বহিনী॥
অসুবব ঘাটত মৃত্যু পিবা পাই।
আসিয়া বাখন্তোক তাত দুর্গাদেবী আই॥
উষিসব ঘাটত সমান নাহি কেব।
আসিয়া বাখন্তোক তাত হব মহাদেব॥
বয়স সঞ্চিত দেহা অবিষ্টত হস্তে।
আপুনি আসিয়া তাত বাখন্ত অনন্ত॥
পর্ব্বতত বাখন্তোক জগতব গুৰু।
বৃষভবাহন যাব ত্রিশূল ডম্বৰু॥
স্থলহস্তে বাখন্তোক ববাহে পর্থত।
সিটো উদ্ধাবিলা ভূমি প্রলয় জলত॥
প্রবাসত বাখন্তোক অশ্বিনীকুমাব।
বনমধ্যে বাখন্তোক শ্রীবাম যাব॥
ব্যাঘ্র ভালুক সর্প আনো ভয় হস্তে।
সর্ব্বত্রে বাখন্তক মহেশ্বব ভগবন্তে॥
গৃহ ব্যাপব আদি থাকন্তে ভয় অতি।
আপুনি বাখন্ত তাত লক্ষ্মী ভাগবতি॥
ভূত পিশাচাদি আনো ভয় যত!
হব মহাদেব আসি বাখন্ত সতত॥
জব ব্যাধি ..আদি যত ভয়গণ।
তাতো ধনন্তবি আসি কবিয়ো বক্ষণ॥
যুদ্ধ সময়ত ভয়ঙ্কব শূল ধবি।
বীবভদ্র রূপে মোক বাখিয়ো আযবি॥
ঘোব বিপু শত্রু কণ্টক ভয় হস্তে।
পুহু বীবভদ্রে মোক বাখিয়ো সততে॥
পুবদিশে ইন্দ্রে বাখন্তোক বজ্রধবি।
দক্ষিণত আপুনি বাখন্তোক শ্রীহবি॥
পছিমত বাখন্তোক বৰুণ অনুপাম।
উত্তবত বাখন্তোক কুবেব যাব নাম॥
লক্ষ্মীদেবী বক্ষা কবা পর্ব্বতে সতত।
নিবিতি দিশত কহে বাম সবস্বতী এবা আন কাম।
শঙ্কবে বচিলা ডাকি বোলা বাম বাম॥

'নিবিতি দিশত' এইখিনিতে ছন্দ ভঙ্গ হৈছে। নকল
কবোতেও বৈ যাব পাবে—সেয়েহে বেছি সম্ভব। এই
কবচ নিশ্চয় সংস্কৃতব পবা ভঙা। শ্রীশ্রীশঙ্কবদেবব বচিত নহয়।

১৬। সর্ব্বাঙ্গ কবচ—(সাঁচি পাতত) অসমীয়া পদত।
"জানি একচিতে আক ধবা দৃঢ় কবি,
শঙ্কবে বচিলা ডাকি বোলা হবি হবি॥"
এই বুলি শেষত আছে। পিছত ইয়াক প্রকাশ কবা হব।

আৱাহন



অসমৰ প্ৰাচীন শিল্প সম্ভাৰ

[বহল বিৱৰণ এই সংখ্যাতে এই নামৰ শ্ৰীযুত সৰ্ব্বেশ্বৰ কটকীৰ প্ৰবন্ধত পাব।]

মহিলা জগত



গণতান্ত্ৰিক শ্যামৰ ভূতপূৰ্ব্ব সম্ৰাজ্ঞী

[এখেতে বৰ উদাৰ পন্থা মানি চলে]



গণতান্ত্ৰিক স্পেনৰ 'ভিলা' য়ুনিভাৰ্সিটিৰ ছাত্ৰীয়ে শাৰীৰিক শক্তি লাভৰ বাবে চেষ্টা কৰিছে।

অসমৰ প্ৰাচীন শিল্পসম্ভাৰ

—শ্ৰীযুত সৰ্ব্বেশ্বৰ কটকী

আহোম স্বৰ্গদেৱ সকলৰ দিনত যেতিয়া দুৰ্গোৎসৱ ৰজা ঘৰীয়া পূজা হ'ল তেতিয়া পূৰ্ণ পয়োভৰে পূজা কৰিবলৈ এই দেশত বিবিধ পূজা সামগ্ৰীৰ আয়োজন হৈছিল। আহোম স্বৰ্গদেৱ কেশৱকান্ত যুৱৰাজৰ কন্যা শ্ৰীযুতা লৌহিত্য কুমাৰী আইদেউৰ জিম্মাত থকা পূজা সামগ্ৰীৰ চিনাকী তলত দিয়া হল!

(১) তামাৰ পুষ্পপাত্ৰ (২) তামৰ ৰূপখটোৱা পুষ্পপাত্ৰ (৩) অসমীয়া কাঁহৰ ভোগৰ থাল (৪) পঞ্চদেৱতা পূজাত পাঁচ ভগীয়াকৈ প্ৰসাদ দিব পৰা অসমীয়া কাঁহৰ নৈবেদ্য (৫) বলি কটা দা (৬) বৰবলি বা মহিষ কটা খড়্গ (৭) দেওধনীৰ হাতৰ দা (৮) ভূটীয়া ঘণ্টা (৯) ৰজাক নিৰ্ম্মালি দিয়া ৰূপৰ শৰাই (১০) পিতলৰ তামৰ কামকৰা শৰাই (১১) মাইহাং (১২) তামৰ শৰাই (১৩) ৰূপ-খটোৱা তামৰ শৰাই (১৪) ৰূপৰ ভূঙ্গাৰ (১৫) ৰূপৰ ফেলাই (১৬) হেঙ্গুল হাইতাল খুৱা কাঠৰ শৰাই (১৭) সাদৰ দিয়া কাঠৰ শৰাই। (১৮) ৰূপ খটোৱা তামৰ লোটা (১৯) তামৰ ৰূপ খটোৱা বৰ শৰাই। [ষোল নম্বৰৰ পৰা প্ৰাচীন সামগ্ৰী কেইবিধ মঙ্গলদৈৰ ৰাজকুমাৰ শ্ৰীযুত ভূপেন্দ্ৰ নাৰায়ণ দেৱ এম, এল, চি, ৰ অনুগ্ৰহত পোৱা। আমি প্ৰাচীন সম্পদ সংগ্ৰহ কাৰ্য্যত নিযুক্ত থাকোঁতে এই কেই বিধ বস্তু আনি অনুসন্ধান সমিতিত ৰাখিছোঁ] এই বিবিধ শিল্প-দ্ৰব্য বোৰে অসমীয়া জাতিৰ শিল্প বিদ্যাত কৃতিত্ব প্ৰমাণ কৰে। এইবোৰ অসম দেশৰ সোতৰ শতাব্দীৰ শিল্পদ্ৰব্যৰ উৎকৃষ্ট নিদৰ্শন।

সম্পাদকীয়

মহাপুৰুষ আৰু অসমীয়া—

সিদিনা মহাপুৰুষৰ তিথি উৎসৱ হৈ গ'ল। সেই উৎসৱ উপলক্ষে গোটেই অসমত—কি চহৰ, কি গাঁও সকলোতে, এনেকি অসমৰ বাহিৰতো য'ত অসমীয়া মানুহ কেজনমানো আছে—সেই বিলাকৰো সৰহ ঠাইতে মহাপুৰুষৰ মহান স্মৃতিৰ তৰ্পণ কৰা হৈছে। মহাপুৰুষৰ স্মৃতিয়ে মানুহৰ মনত মহৎ প্ৰেৰণা দিয়ে। মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰতিভা আছিল বহুমুখী। সেইবাবে অসমীয়া জাতিয়ে শঙ্কৰদেৱৰ তিথি উৎসৱ পাতি, তেওঁৰ প্ৰদৰ্শিত পন্থাৰ অনুশীলন আৰু অনুসৰণ কৰি জাতীয় জীৱনৰ নানা ফালেদি উদ্গতিৰ বাটত আগ বাঢ়িবৰ সুচল আছে। সঁচাকৈ শঙ্কৰদেৱ কি নাছিল? তেওঁ ধৰ্ম্ম সংস্থাপক, ধৰ্ম্ম সংস্কাৰক, সমাজ সংস্কাৰক, কবি, সাহিত্যিক, ৰাজনীতিক সকলো আছিল। অসমীয়া জাতিক এই মহাপুৰুষে কি দি যোৱা নাই? তেওঁ এনে এটি ধৰ্ম্ম সংস্থাপন কৰি গ'ল যি সকলো যুগতে, দেশৰ নানা অৱস্থাৰ পৰিবৰ্ত্তনৰ পিছতো কেতিয়াও পাছ পৰা নহয়—চিৰ নতুন, চিৰ সুন্দৰ, চিৰ অগ্ৰসৰ। আজি সদৌ ভাৰতত অস্পৃশ্যতা দোষৰ পৰাচিত চলিব লাগিছে। জাতিয়ে এই অস্পৃশ্যতা মহা পাপত জাতীয় মুক্তিৰ বাট আন্ধাৰ দেখিছে। মহাত্মা প্ৰমুখ্যে মহাপুৰুষতুল্য নেতা সকলে পথ দেখুৱালেও অতীত গৰিমাতে গৰ্ব্বিত এই জাতিয়ে যেন অতীতৰ ভাবাবেশতে আবিষ্ট হৈ ৰৈছে। কিন্তু সেই অতীততে এই মহাপুৰুষে যি অস্পৃশ্যতা বিবৰ্জ্জিত ধৰ্ম্ম প্ৰচাৰ কৰি গ'ল, যি মহাপুৰুষীয়া ধৰ্ম্মত নগা, গাৰো, যবন সকলোৰে অধিকাৰ সাব্যস্ত কৰি গ'ল সেই ধৰ্ম্মাৱলম্বী সৌভাগ্যবান অসমীয়া জাতিৰ মাজতনো কোন দুৰ্ভাগ্যত অস্পৃশ্যতা দোষে সোমাবলৈ পালে? সিদিনা কলিকতা এ, এছ, এল, ক্লাবত মহাপুৰুষৰ তিথি উৎসৱৰ সভাপতি শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই লৰ্ড চাউথবৰোৰ সভাপতিত্বত বহা কমিটিৰ আগত সাক্ষ্য দিওঁতে তেখেতে শঙ্কৰদেৱৰ সত্ৰ শাসন-প্ৰণালীলৈ আঙুলিয়াই ভাৰতৰ ভিতৰত পোন প্ৰথমে অসমেহে গণতন্ত্ৰমূলক শাসন প্ৰণালী ভোগ কৰিবৰ অধিকাৰী বুলি কোৱাৰ দৰে কব পাৰি মহাপুৰুষীয়া ধৰ্ম্মৰ অস্পৃশ্যতা শুন্য অসমবাসী ভাৰতৰ ভিতৰত আগ ৰণুৱা হৈ ওলোৱাটো বৰ শোভনীয় কথা হ'লহেঁতেন। সি যি নহ'ক শুভ লক্ষণ এইটোকে মন কৰিব লগীয়া যে যোৱা ১৭ ভাদৰ তিথি উৎসৱৰ দিনা যোৰহাটৰ শঙ্কৰ মন্দিৰত কৈৱৰ্ত্ত সকলেৰে সৈতে উচ্চ শ্ৰেণীৰ হিন্দু সকলে একেলগে বহি নাম কীৰ্ত্তন কৰিছে। সঁচাকৈ মহাপুৰুষৰ তিথি উৎসৱ পালনৰ প্ৰকৃত সাৰ্থকতা ধৰ্ম্মৰ নামত সোমাব খোজা এনে আবৰ্জ্জনা ৰাশি আঁতৰ কৰাতে। অকল সেয়ে নহয় আজি অসমীয়া জাতিয়ে ইচ্ছা কৰিলে এই উৎসৱৰ মাজেদি, মহাপুৰুষৰ আশীৰ্ব্বাদৰ শত ধাৰাৰে গোটেই ভাৰতৰ কল্যাণৰ নৈ বোৱাই দিব পাৰে। এই গ'ল ধৰ্ম্মৰ ফালেদি অসমীয়া জাতিৰ অধিকাৰৰ কথা।

আকৌ সাহিত্যতো শঙ্কৰ-মাধৱ দুয়োজন মহাপুৰুষে যি অমূল্য সম্পদ দান কৰি গৈছে অসমীয়া সাহিত্য তাতে জগত জিলিকা হৈ ৰৈছে।

অসমীয়া ভাষাৰ ওপৰত বিদেশী ভাষাৰ যি আক্ৰোশ আক্ৰমণ চলিছিল, মহাপুৰুষীয়া সাহিত্যৰ সুদৃঢ় প্ৰাচীৰ নথকা হলে কেতিয়াবাই তাৰ চিন-চাব নোহোৱা কৰিলেহেঁতেন। মহাপুৰুষীয়া সাহিত্যই আমাৰ ভাষাৰ কেৱল বৈশিষ্ট আৰু অস্তিত্বকে ৰক্ষা কৰি আছে এনে নহয়। গুৱাহাটীৰ এ, এছ, এল্ ক্লাবত মহাপুৰুষৰ তিথি সম্মিলনৰ সভাপতিৰূপে অধ্যাপক শ্ৰীযুত বাণীকান্ত কাকতী ডাঙৰীয়াই ভালকৈ দেখুৱাইছে কেনেকৈ এই সাহিত্যৰ ভেটিতে আমাৰ বৰ্ত্তমান অসমীয়া সাহিত্যৰ ওখ দৌল গঢ়ি উঠিব।

বৰ সুখৰ কথা সেই ক্লাবত শঙ্কৰদেৱৰ ধৰ্ম্ম, সাহিত্য, সংগঠন আদি সম্বন্ধে কেগৰাকীমান উপযুক্ত মানুহৰ দ্বাৰা তুলনামূলক আলোচনা কৰিবলৈ স্থিৰ হৈছে।

অকল ধৰ্ম্ম আৰু সাহিত্যতে নহয়, শঙ্কৰদেৱৰ সমাজ সংস্কাৰৰ বিষয়তো বৰ্ত্তমান সময়ত উপযুক্ত অনুশীলন আৱশ্যক হৈছে। কৈ অহা কলিকতা এ, এছ, এল ক্লাবৰ সভাপতি বৰদলৈ ডাঙৰীয়াই আমাৰ দেশত এতিয়াও মহাপুৰুষীয়া সঙ্গীতৰ যথোচিত সমাদৰ নোহোৱাৰ কাৰণে দুখ কৰে। তেখেতে আমাৰ সঙ্গীতজ্ঞ ডেকা সকলক অসমীয়াৰ প্ৰাণ মতলীয়া কৰা, হিয়া শাত পেলোৱা অসমীয়া বৈশিষ্ট্যপূৰ্ণ গীতৰ অনুশীলন কৰিবলৈ অনুৰোধ জনায়। তেখেতে সঙ্গীতৰ সম্পূৰ্ণ চৰ্চ্চাৰ সুচল থকা এই কলিকতাত আমাৰ সঙ্গীতজ্ঞ অসমীয়া ডেকা সকললৈ অসমীয়া গানৰ বৈশিষ্ট্য ফুটাই তুলিবলৈ যি আহ্বান জনাইছে সি উপযুক্ত আৰু আৱশ্যকীয় হৈছে। আশা কৰোঁ এতিয়াৰ পৰা আমাৰ দেশত সঙ্গীতৰ বতাহ এই বৈশিষ্ট্যৰ অনুকুলেহে বব। আৰু আশা কৰোঁ এই মহাপুৰুষ সকলৰ তিথি উৎসৱৰ মাজেদি অসমীয়া জাতিৰ সৰ্ব্ববিধ বৈশিষ্ট্যপূৰ্ণ মহত্ব ফুটি উঠি ভাৰতৰ মাজত বিশ্বমানৱৰ মনত এই জাতিয়ে বিস্ময়ৰ সঞ্চাৰ কৰিব।

অসমত স্মৃতিপূজাৰ উপযুক্ত আয়োজন আৰু মহাবীৰ চিলাৰায় উৎসৱ—

শঙ্কৰ-মাধৱৰ তিথি মহোৎসৱৰ বাহিৰেও এই ভাদ মাহতে চিলাৰায় উৎসৱো হৈ গ'ল। চিলাৰায় স্বাধীন অসমৰ অতুলনীয় বীৰ আছিল বীৰত্বৰ পূজাৰে মানুহৰ শৰীৰ-মনৰ দুৰ্ব্বলতা দূৰ কৰিবলৈ সুযোগ মিলে। যি জাতি যিমানে উন্নতিৰ জখলাত আগ বাঢ়ে, সেই জাতিয়ে তিমানে তাৰ জাতীয় বীৰ পুৰুষ আৰু মহাপুৰুষ সকলৰ পূজাৰ আয়োজন বঢ়াই আনে, পূজাৰ ভিতৰেদি নিজ যোগ্যতা বঢ়াই তোলে। মহাবীৰ চিলাৰায়, মহাবীৰ লাচিত আদিৰ স্মৃতি পূজাৰে অসমীয়া জাতিৰ যোগ্যতা আৰু উপযুক্ততা বাঢ়ি আহিব, সন্দেহ নাই। কিন্তু এনে যোগ্যতাৰ উপযুক্ত পৰিচয় দিবলৈ আমাৰ বীৰ পূজাৰ আয়োজন ইমানতে শেষ হব নোৱাৰে। অতীতৰ অসমীয়া বীৰপুৰুষ আৰু বীৰ নাৰীৰ অভাৱ নাই। আমি সেই সকলৰ যোগ্য বংশধৰ বোলাবলৈ বিচাৰিলে আমাৰ আটাই বিলাক মহাপুৰুষ, বীৰপুৰুষ, বীৰনাৰী, দেশপ্ৰেমিক সমাজ সেৱককে আমৰা পূজাৰ বেদীত আনি থাপনা কৰিব লাগিব, সেই সকলক উপযুক্ত পূজা আৰু সম্মান যাঁচিব লাগিব। যোৱা সংখ্যা 'অসমীয়া'ৰ সম্পাদকীয় স্তম্ভত এই বীৰপূজা উপলক্ষে আমাৰ দেশসেৱক কৰ্ম্মবীৰ চন্দ্ৰনাথ, হাতীবৰুৱা ৰোহিনীকান্ত আৰু সাহিত্যসেৱক হেমচন্দ্ৰ, আৰু ঢেকীয়াল ফুকন প্ৰভৃতিৰ স্মৃতি পূজালৈ আঙুলিৱা বৰ শোভন হৈছে। উঠি অহা অসমীয়া-জাতিৰ পক্ষে এই সকলৰ কোনো জনৰ স্মৃতি-পূজাকে বাদ দিব লগীয়া নহয়। ইয়াৰ হীনদেড়ীত জাতীয় মনৰ বিকৃত অৱস্থা, জাতীয় ভাৱৰ স্বাভাৱিক লক্ষণৰ পৰিবৰ্ত্তে বিজাতৰীয়া চিন ওলাই পৰে। বীৰ চিলাৰায়ৰ জন্ম ঠাই কোচবিহাৰ। কিন্তু আজি ৰংপুৰ, কোচবিহাৰ জলপাইগুড়ি আদিৰ অধিবাসীসকলে চিলাৰায়ৰ বীৰত্বৰ কাহিনী পাহৰি গৈ বঙলা নাটক 'সিংহল বিজয়'ৰ বিজয়সিংহৰ (?) বীৰত্বৰ গৌৰৱতে নিজক গৌৰৱান্বিত ভাবিব লগীয়া হৈছে, আৰু তাৰ ফলত সিবিলাক ঠাইৰ জাতীয়তা ক্ষুণ্ণ নোহোৱা বুলি কব নোৱাৰি। সেই বুলি আমি কব খোজা নাই যে নিজ দেশৰ বাহিৰে আন দেশৰ মহাপুৰুষসকলৰ পূজা কৰাত কিবা হকাবাধা আছে। মহাপুৰুষসকলৰ পূজাৰ উদ্দেশ্য প্ৰধানতঃ নিজৰ যোগ্যতাক আগ বঢ়াই অনা। সেই হিচাপেহে নিজ দেশৰ বীৰত্ব, মহত্বৰ আৰ্হিয়ে মানুহক বেছিকৈ অনুপ্ৰাণিত কৰা আৰু জাতীয়তা বজায় ৰখাত সহায় কৰা সম্ভৱ। যিকি নহ'ক আমাৰ জাতীয়তাৰ উৎকৰ্ষ সাধন কৰিব লাগিলে জাতীয় মহাপুৰুষ সকললৈ শ্ৰদ্ধা নিবেদন আৰু তেওঁলোকৰ আৰ্হি অনুশীলন কৰা একান্ত অপৰিহাৰ্য্য। জাতিৰ উত্থানৰ লগত ইয়াৰ সম্বন্ধ বৰ ঘনিষ্ঠ। উত্থানশীল জাগ্ৰত অসমীয়া ডেকাসকলৰ দৃষ্টি এইফালে নিশ্চয় নপৰাকৈ নাথাকে।

অসমীয়া ডেকাৰ কীৰ্ত্তি—

যোৱা ২১ আগষ্ট দেওবাৰে গুৱাহাটীৰ একতা সভাৰ

অৱিয়তে তাৰ অসমীয়া নাটঘৰত শ্ৰীযুত গিৰীশচন্দ্ৰ ৰায়চৌধুৰী ডাঙৰীয়াৰ সভাপতিত্বৰ এখনি সভা বহে। তাত পৃথিবীৰ ভালেমান ঠাই স্থিৰ-চাকি দেশলৈ উফটি অহা অসমীয়া ডেকা শ্ৰীযুত যোগেন্দ্ৰনাথ ফুকন ডাঙৰীয়াই সমজুৱা সকলক নিজ ভ্ৰমনৰ বৃত্তান্ত বৰ্ণনা কৰি শুনায়। তেওঁৰ সকলে পৰা দেশ-ভ্ৰমনলৈ প্ৰৱল ধাউতি আছিল। তেওঁ ১৯১৪ খৃষ্টাব্দত মহাযুদ্ধৰ সময়ত মেচোপোটেমিয়ালৈ গৈছিল। তাৰ পিছত ১৯২১ খৃষ্টাব্দত অসহযোগ আন্দোলনৰ সময়ত চমাহ কাৰাবৰণ কৰি পণ্ডিচৰী স্পৃহা বঢ়াত কলিকতালৈ গৈ পৃথিবীৰ নানা ঠাই ঘুৰিবলৈ দিহা কৰিছিল। আৰু অৱশেষত আমেৰিকা, ইংলণ্ড, ফ্ৰান্স, জাৰ্মাণী, নৰোৱে, হলেণ্ড, কছীয়া, জাপান, অষ্ট্ৰেলিয়া, স্কাণ্ডিনেভিয়া, কামস্কাটকা, ইজিপ্ট আদি পৃথিবীৰ সকহ ভাগ ঠাই ঘুৰি আহিছে। ভ্ৰমনৰ অভিজ্ঞতা উপাৰ্জ্জন কৰাৰ বাহিৰেও তেওঁ ফ্ৰেঞ্চ, জাৰ্মাণ, ডাচ, নৰৱেজিয়ান প্ৰভৃতি কেবাটাও ভাষা শিকিবলৈ সক্ষম হৈছে। কিন্তু মাতৃভাষালৈ অহুৰাগৰ বাবে শ্ৰীযুত ফুকন আটাইতকৈ বেছি প্ৰশংসা পাত্ৰ । আমাৰ দেশৰ কিছুমানে ২।৪ বছৰ বিদেশত থাকিয়ে মাতৃভাষা পাহৰে বা অন্ততঃ পাহৰাৰ ভাও ধৰে। কিন্তু শ্ৰীযুত ফুকনে একেলগে ১২ বছৰ জন্মভূমিৰ পৰা আঁতৰি থাকিও আৰু নানা দেশৰ মাত বচন শিকিও নিজৰ ভাষাত শুদ্ধলা ভাবে বক্তৃতা দিব পৰাত তেওঁ সকলোবে শলাগৰ পাত্ৰ। তেখেতৰ অনুসন্ধিৎসা, উৎসাহ, ধৈৰ্য্যও কম প্ৰশংসনীয় নহয়। ভ্ৰমন ভাল পোৱা অসমীয়া ডেকা সকলৰ মাজত তেওঁ এটা নতুন উৎসাহৰ ভাব সৃষ্টি কৰিব পাৰিব।

ব্যৱস্থা পৰিষদত ববলাটৰ বক্তৃতা—

সিদিনা ব্যৱস্থা পৰিষদৰ চিমলা অধিবেশনত ববলাটে কংগ্ৰেছৰ বিৰুদ্ধে প্ৰয়োগ কৰা অৰ্ডিনেন্স বিলাক আইনত পৰিণত কৰিবলৈ বক্তৃতা দিছিল। তাৰ ভিতৰত পৰা এটা কথা ধৰিব পৰা গ'ল যে গৱৰ্ণমেণ্টৰ পক্ষৰ পৰা যদিও কংগ্ৰেছ দমি গৈছে বুলি মাজে মাজে বিপোৰ্ট প্ৰকাশ কৰা হয় তথাপি আচলতে তেনে নোহোৱাটোহে এই অৰ্ডিনেন্সক আইনত পৰিণত কৰাৰ উদ্দেশ্যৰ পৰা অনুমান কৰাটো অস্বাভাৱিক নহয়। সি যি কি নহ'ক গৱৰ্ণমেণ্টৰ এই উদ্দেশ্যৰ পৰা প্ৰস্তাৱিত নতুন শাসন পদ্ধতিলৈও জন-সাধাৰণৰ মনত আৰু বেছি সন্দেহ জন্মোৱা হ'ল। এনে আইনৰ ফলত দেশত এনে ধাৰণাই ঠাই পাব যে গৱৰ্ণমেণ্টে কোনো কাৰ্য্যকৰী শাসন প্ৰণালী দিব নোখোজে। দেখাত কিবা দিব ওলালেও সেই ভবিষ্যত শাসন-প্ৰণালী অধিকাৰ এই আইনৰ দ্বাৰাই খৰ্ব্ব কৰা হব। মুঠতে ইয়াৰ দ্বাৰা এফালে যেনেকৈ জনসাধাৰণৰ বিশ্বাস হেৰুৱা হব আন ফালে তেনেকৈ কংগ্ৰেচৰ শক্তিও ইয়াৰ দ্বাৰা কমাব পৰা যাব বুলি আশা কৰিব নোৱাৰি। এনে অৱস্থাত গ বাউণ্ড টেবিল কনফাৰেন্সৰ প্ৰলোভন, বা নতুন শাসন পদ্ধতিৰ আশা একোৱেই মানুহৰ বৰ্ত্তমান সন্দিহান অৱস্থাক দূৰ কৰিবলৈ সক্ষম হব নোৱাৰে বুলি বিশ্বাস।

প্ৰধান মন্ত্ৰীৰ সাম্প্ৰদায়িক মীমাংসা সম্পৰ্কে বিশ্বকবি ৰবীন্দ্ৰনাথৰ অভিমত—

সাম্প্ৰদায়িক মীমাংসা বিষয়ৰ প্ৰধান মন্ত্ৰীৰ ঘোষা উপলক্ষে 'ফ্ৰি প্ৰেছ'ৰ প্ৰতিনিধিৰ আগত কবি ৰবীন্দ্ৰনাথে এই অভিমত প্ৰকাশ কৰিছে—"মই আকৌ এবাৰ গৱৰ্ণমেণ্টৰ দ্বাৰা ঘোষিত সাম্প্ৰদায়িক সিদ্ধান্ত সম্পৰ্কে আমাৰ মনোভাৱৰ কথা কব খোজোঁ। ভালকৈ গমি চাই বুজিব পাৰি যে প্ৰকৃত সমস্যাবিলাকৰ সম্বন্ধে আমাৰ দৃষ্টি আচ্ছন্ন কৰিবৰ আৰু এটা উপলক্ষ দেখা দিছে। এই সাম্প্ৰদায়িক নিৰ্দ্ধাৰণে আমাৰ দেশৰ বেলেগ বেলেগ সম্প্ৰদায় আৰু শ্ৰেণীৰ ভিতৰত পৰস্পৰৰ মাজত বিষ ভাৱৰ সৃষ্টি কৰিছে আৰু ভবিষ্যত শাসন সংস্কাৰৰ ধাৰা আমাৰ মনোযোগ আন ফাললৈ টানিবলৈ চেষ্টা কৰা হৈছে।"

কবিয়ে সেইদেখি দেশবাসীৰ ওচৰত নিম্নৰে জনাইছে—"এনে অৱস্থাত দেশবাসীৰ প্ৰতি মোৰ এই উপদেশ যে, প্ৰধান মন্ত্ৰীৰ সিদ্ধান্ত কাটি কবি সমিধি ভাবে আমি নতুন ব্যৱস্থাবিলাক বিবেচনা কৰিবৰ নিমিত্তে আমাৰ সমস্ত শক্তি কেন্দ্ৰীভূত কৰিব লাগিব। সাম্প্ৰদায়িক সমস্যাৰ মীমাংসা কৰিবৰ ভাৰ আমাৰ হাততে আছে। অযৌক্তিক সাম্প্ৰদায়িক ভেদ নীতি আৰু শ্ৰেণীবৈষম্যৰ বিৰুদ্ধে আজিকালি আমাৰ দেশৰ শিক্ষিত সম্প্ৰদায়ৰ মনত যি নতুন বিক্ষোভৰ সৃষ্টি হৈছে, তাৰ সুযোগ লৈ নিজৰ ভিতৰতে এটা কিবা নিষ্পত্তি কৰি লোৱাই নিতান্ত যুক্তি সঙ্গত। ইয়াৰ দ্বাৰা আমাৰ জাতীয় আত্ম-বিকাশৰ বাটৰ অন্তৰায় প্ৰধান বাধা দূৰ হব।"

অসম বেলৱেজ এণ্ড ট্ৰেডিং কোম্পানীৰ জননীত অসমীয়ালৈ আমনি প্ৰকাশ—

ঘোৱা ৬ চেপ্টেম্বৰৰ ষ্টেট্ছমেন কাকতত এই কোম্পানীৰ যি জাননী ওলাইছে, আমাৰ সহযোগী "টাইমচ্ অৱ্ অসম" ঘোৱা সংখ্যা কাকতত তাৰ প্ৰতিবাদ কৰিছে। সঁচাকৈ এনে জাননীবে আমাৰ দেশৰ আত্ম-সম্মানত ববকৈ আঘাত দিয়া হৈছে। জাননীৰ ভিতৰত প্ৰধান চুকি এটা হৈছে—দৰখাস্তকাৰীৰ নিজ উচ্চ ব্যক্তিগত প্ৰভাৱ (strong personality) আৰু নৈতিক চৰিত্ৰ (high moral character) থাকিব লাগিব। সি বৰ ভাল কথা। কিন্তু তাৰ ভিতৰত বুজিব নোৱাৰা বিষয় আৰু দেশৰ পক্ষে অপমানৰ কথা এইটোয়ে যে অসমীয়াৰ বাজে আনক হে এই কামৰ বাবে সুবিধা দিয়া হব। ইয়াৰ অৰ্থ তেনেহলে ইয়াকে বুজায় নেকি যে অসমীয়া মানুহৰ ভিতৰত এই কোম্পানীৰ "ইক ভেবিফায়াৰ"ৰ কামৰ বাবে তেনে "ষ্ট্ৰং গাৰ্নেলেটৰ" আৰু "হাই মৰেল কেৰেক্টাৰ" থকা মানুহ নাই। আমি আশা কৰিছোঁ যদি অসমীয়াক তুচ্ছতাচ্ছিল্য কৰাৰ বাহিৰে ইয়াৰ আন কিবা আমি ভেদ কৰিব নোৱাৰা বহুতৰ অৰ্থ থাকে, তেনেহলে এই কোম্পানীৰ পৰাজীৰ পক্ষৰ পৰা তাক বৰ সোনকালে প্ৰকাশ কৰিব। নহলে প্ৰকাৰান্তৰে এই জাতিৰ ওপৰত এনে অন্যায় ভাব প্ৰকাশ কৰা বুলি গোটেই অসমক চৰুণ কৰি তোলা হব, সন্দেহ নাই। এই কোম্পানী অসমত যেতিয়া, আৰু যেতিয়াই অসমৰ কাৰবাৰৰ সুবিধা ভোগ কৰিব লাগিছে, তেতিয়া অসমীয়া মানুহে ইয়াৰ চাকৰি আদিৰ সুবিধা পোৱাটো যুক্তিযুক্ত। এই যুক্তিকে আজিকালি সকলো ঠাইতে আৰু এনেকি গৱৰ্ণমেণ্টেও অনুসৰণ কৰি চলে। তেনে স্থলত অসমৰ বুকুত লালিত আৰু অসমৰ সম্পদেৰে সুপুষ্ট এই কোম্পানীয়ে অসমীয়াৰ হক দাবীলৈ আওকাণ কৰাৰ বাহিৰেও অসমীয়া জাতিক অপমানিত কৰিবলৈ আগ বঢ়া আস্পৰ্দ্ধাৰ সমুচিত প্ৰতিকাৰৰ উপায় আন যদি একো নাথাকে তেনেহলে দেশবাসীৰ হাতত কি আছে তাকে ভাবিব লগীয়া।

সাম্প্ৰদায়িক মীমাংসা আৰু অসম—

প্ৰধান মন্ত্ৰীৰ সাম্প্ৰদায়িক মীমাংসা হৈ গ'ল সঁচা, কিন্তু তেওঁৰ ভাগ-বাটি দিয়া পৰিশ্ৰম খিনিৰ সাৰ্থকতা নহ'ল যেন লাগিছে। গোটেই ভাৰত জুৰি সেই মীমাংসাই বিক্ষোভ আৰু অসন্তুষ্টিৰ হে সৃষ্টি কৰিছে, আন কি কবি-প্ৰাণতো মীমাংসাই আঘাত দিছে; সেয়েহে কবি ৰবীন্দ্ৰনাথেও এই বিষয় তেওঁৰ মতামত সোধাত কৈছিল যে এই সিদ্ধান্তই জাতীয় ঐক্যক ভাঙ্গি চিঙ্গি নানা বৈষম্যৰ সৃষ্টি কৰি ভাৰতৰ সৰ্ব্বনাশ কৰা বাবে তেখেতে এনে অপমান বোধ কৰিছে, যেইয়াৰ বিৰুদ্ধে কিবা অভিযোগ আনিবলৈও ঘৃণা বোধ কৰিছে। সঁচাকৈ যি কোনো চিন্তাশীল মানুহে, যি কোনো কাণ্ডজ্ঞান থকা মানুহেই কব যে এই মীমাংসা ভাৰতৰ ঘোৰ অনিষ্টকাৰী, জাতীয়তাৰ (nationality) পথত ঘোৰ অন্তৰায়, আৰু বৰ্ত্তমানে দায়িত্বপূৰ্ণ শাসনতন্ত্ৰৰতো উপযোগী নহয়েই, ভবিষ্যতৰ আশা ভৰসাৰ মূলতো কুঠাৰাঘাত কৰিব।

এই সিদ্ধান্ত অসমৰ পক্ষে আৰু অভিনব্ হৈছে। আন হিন্দু বা মুছলমান-প্ৰধান প্ৰদেশবোৰত এই দুই সম্প্ৰদায়ৰ কোনো এটিৰ বিক্ষোভ আৰু অসন্তুষ্টি হে প্ৰবল দেখা যায়, কিয়নো এই মীমাংসাই সেই সেই প্ৰদেশত এটি নাইবা আনটিৰ প্ৰতিহে পাব লগা ভাগ নিদি বেছি

কৰা বুলি দোষাৰোপ কৰা হৈছে। কিন্তু দৰাচলতে তেওঁ সেই সম্প্ৰদায়ৰ হকে কথা কবৰ বাবে যোগ্য পুৰুষ। যি কি নহ'ক তেখেতৰ অনুৰোধলৈ কাণ নিদি বৃটিছ মন্ত্ৰীয়ে অকল ভাৰতবাসীকে নহয় গোটেই জগতকে চঞ্চল কৰি তুলিছে। মহাত্মাজীৰ সঙ্কল্পিত অনশনৰ আশঙ্কাত সকলোৰে চিন্তাৰ সীমা নাইকিয়া হৈছে।

মহাত্মাজীয়ে তেখেতৰ চিঠিত আকৌ জানিব দিছে যে সাম্প্ৰদায়িক নিৰ্ব্বাচনৰ কাৰণৰ বাহিৰেও সম্প্ৰতি ভাৰতত চলা নিষ্ঠুৰ নিপীড়নৰ বাবেও তেখেতে প্ৰায়োপবেশন আৰম্ভ কৰিব পাৰে।

কলিকতা বিশ্ববিদ্যালয়ত প্ৰবেশিকা পৰীক্ষাৰ বাবে মাতৃভাষাৰে শিক্ষাৰ ব্যৱস্থা—

কলিকতা বিশ্ববিদ্যালয়ত প্ৰবেশিকা পৰীক্ষাৰ শিক্ষাৰ ব্যৱস্থা মাতৃভাষাতে কৰা স্থিৰ হৈছে। ইং ১৯৩৫ চনৰ পৰা বঙ্গালী, অসমীয়া, হিন্দী বা উৰ্দ্দুৰ কোনো এটা ভাষাত শিক্ষাৰ ব্যৱস্থা হব। ইংৰাজীভাষা শিক্ষাৰ বাহনহোৱা গতিকে আজি শতাব্দীৰো অধিক কাল ভাৰতৰ উন্নতিত প্ৰধান অন্তৰায় হৈছিল। ইয়াৰ প্ৰাধান্যতা গুচাই মাতৃভাষাত শিক্ষাৰ ভেটী স্থাপন কৰা দেশৰ পক্ষে বৰ লাগতিয়াল হৈছ। বিশ্ববিদ্যালয়ৰ এনে শুভা ইচ্ছাত কোনো বাধা নজন্মিব বুলি আশা কৰিব পাৰি। ভাৰতীয় ছাত্ৰৰ আন এটি ভাষা জ্ঞানলৈ প্ৰধানকৈ মনোযোগ আকৰ্ষণ নকৰি তাৰ ঠাইত পাশ্চাত্য জগতৰ দৰে প্ৰাথমিক বিজ্ঞান আৰু আন শিক্ষাৰ দিহা কৰিলে ছাত্ৰসকলৰ শিকিব লগীয়া বিষয় বৰ সহজ বোধ হব।

ইয়াতে আমাৰ দেশৰ পক্ষৰ পৰাও মনোযোগ দিব লগীগা কথা হৈছে যে অসমীয়া ভাষাতো শিক্ষাৰ ব্যৱস্থা লাগিব। কিন্তু অসমীয়া ভাষাত প্ৰবেশিকা পৰিক্ষাৰ উপযোগী পাঠ্যকিতাপ নাই। ভূগোল, ইতিহাস, প্ৰাথমিক বিজ্ঞান, অঙ্ক, স্বাস্থ্যবিজ্ঞান ইত্যাদি কিতাপ এতিয়াও অসমীয়াত নাই বুলিব লাগে। অসমীয়া ছাত্ৰই যদি কিতাপৰ অভাৱত অসুবিধা ভোগ কৰিব লাগে তেন্তে সি ক্ষতিৰ কথা হব। সেই বিষয় আমি অসমীয়া সাহিত্যিক সম্প্ৰদায়ৰ দৃষ্টি আকৰ্ষণ কৰো। সাহিত্য সভায়ো এই বিষয় চেষ্টাৰ ত্ৰুটি নকৰিব বুলি আশা কৰা যায়।

৫২৫৯/অ:

সমালোচনা

চন্দ্ৰমতী—যোৰহাট "অন্নদা সাহিত্যমন্দিৰৰ" পৰা প্ৰকাশিত শ্ৰীযুত বিপিনচন্দ্ৰ বৰুৱা বি এ সম্পাদিত—'গল্পচিৰিজ'ৰ এখনি গ্ৰন্থ। প্ৰণেতা—শ্ৰীযুত মহেশ্চন্দ্ৰ শৰ্ম্মা কটকী। বেচ ।/০ অনা।

সূৰ্য্য বংশৰ হৰিশ্চন্দ্ৰ ৰজাৰ পত্নী শৈব্যা সম্বন্ধে লিখা সৰু এখনি কিতাপ। লিখকে শৈব্যাৰ অপৰ নাম চন্দ্ৰমতী ৰাখিছে। এই নাম যদিও তেখেতে জনসমাজত জনাজাত বুলি অনুমান কৰে, সেইটো বোধ হয় ভুল। বৰং নতুন বাট বিচাৰি গৈ জনপ্ৰিয়তা হেৰুৱা বুলিহে আমাৰ ধাৰণা।

কিতাপখনত পতিপৰায়ণা শৈব্যাৰ (বা চন্দ্ৰমতীৰ) চৰিত্ৰৰ মহত্ব ভালদৰে অঙ্কিত হৈছে আৰু সকলো ল'ৰা-ছোৱালী আৰু সজ ঘৈণীয়ে পঢ়ি উপভোগ কৰিব বুলি আমাৰ আশা।

১৩নং বৃন্দাবন মল্লিক লেন, কামৰূপ প্ৰেছত শ্ৰীঅপূৰ্ব্ব কুমাৰ ভূঞা দ্বাৰা মুদ্ৰিত, ডাঃ দীননাথ শৰ্ম্মা দ্বাৰা প্ৰকাশিত।

৫২৮০/আ:
১০.৬.৯৯



অৱনতৰ বন্ধু মহাত্মা

লক্ষ্মীবিলাস প্ৰেস, লিঃ কলিকাতা।

৫২৮০/অ:



৩য় বছৰ
১২শ সংখ্যা

আৱাহন

আহিন
১৮৫৪ শক

কামৰূপ সাম্ৰাজ্য

—ৰায় বাহাদুৰ শ্ৰীযুত কণক লাল বৰুৱা

খ্ৰীঃ সপ্তম শতিকাৰ আদি ভাগৰ পৰা অষ্টম শতিকাৰ মাজ ভাগলৈকে কামৰূপৰ ৰজাবিলাকৰ বিস্তীৰ্ণ সাম্ৰাজ্য আছিল। শ্ৰীহৰ্ষৰ সমাৰ দিনত এই সাম্ৰাজ্যৰ পুবসীমা নদিয়া, পশ্চিম সীমা অযোধ্যা, উত্তৰ সীমা হিমালয় পৰ্ব্বত আৰু দক্ষিণ সীমা মাদ্ৰাজ প্ৰেচিডেন্সীৰ গঞ্জাম পৰ্য্যন্ত জুৰি আছিল। দুখৰ বিষয়, বুৰঞ্জীৰ তথ্য বিচৰা অসমীয়া লিখক সকলেও এই বিস্তীৰ্ণ সাম্ৰাজ্যৰ ধাৰণা কৰিবলৈ টান পায়। তাৰৰ সঙ্কীৰ্ণ ভাবটি মনৰ পৰা নুগুছে। অথচ এই বৃহৎ সাম্ৰাজ্যৰ ঐতিহাসিক প্ৰমাণ বিস্তৰ আছে আৰু এই প্ৰমাণ বঙ্গাক্ষী, মাদ্ৰাজী প্ৰভৃতি আন ভাৰতবৰ্ষীয় পুৰাতত্ত্ববিদ্ সকলে গ্ৰহণ কৰিছে। দেখা যায় এই প্ৰমাণ গ্ৰহণ কৰিবলৈ অনিচ্ছুক কেৱল আমাৰ সঙ্কীৰ্ণমনা দুই এজন অসমীয়া হে। কি দুখৰ কথা! আমাৰ কোনো কোনো লিখকে "বৃহত্তৰ অসম", "ৰব অসম" আদি শব্দৰ সৃষ্টি কৰিছে, কিন্তু "প্ৰাগজ্যোতিষ বা "কামৰূপ" নাম লিখিবলৈ হাত ধৰে। মহাভাৰত, ৰামায়ণ আৰু পুৰাণ আদিত কিন্তু কামৰূপ বা প্ৰাগজ্যোতিষৰহে নাম পোৱা যায়। অসম নাম অতি অৰ্ব্বাচীন।

কামৰূপৰ পুৰণি কীৰ্ত্তি আৰু গৌৰৱ ঘোষণা কৰিছে যাইকৈ আন প্ৰদেশৰ লোকে। কামৰূপৰ প্ৰাচীনতম

তাৰৰ ফলিৰ উদ্ধাৰ হৈছে এজন ছিলহীয়া ভদ্ৰলোকৰ যত্ন আৰু অৰ্থ খৰচৰ দ্বাৰা! অষ্টম শতিকাৰ শেষ ভাগৰ প্ৰসিদ্ধ পণ্ডিত কুমাৰিল ভট্ট যে কামৰূপী, নৱম শতিকাৰ আদিভাগৰ প্ৰসিদ্ধ বৌদ্ধ আচাৰ্য্য অভিনৱ গুপ্ত যে কামৰূপী তাক আনেহে চকুত ঘোকোটা মাৰি আমাক দেখুৱাই দিছে। সেই দৰে দশম শতিকাৰ তিব্বতীয় বৌদ্ধ আচাৰ্য্য মীন নাথ (মীনাই) যে কামৰূপৰ কৈৱৰ্ত্ত জাতীয় এই সন্দাৰে য়ুৰোপীয়ান এজনবপৰাহে আমি প্ৰথমে পাইছোঁ। এছিয়াটিক ছোছাইটিৰ জৰ্ণলত এজন বঙালী লিখকে অলপতে দেখুৱাইছে যে মুদ্ৰাৰাক্ষস নাটকৰ গ্ৰন্থকাৰ বিশাখ দত্ত কামৰূপৰ ব্ৰাহ্মণ। তেওঁ অনুমান ভাস্কৰ বৰ্ম্মাৰ দিনত নাইবা তেওঁৰ পুত্ৰৰ দিনত এই পুথি লিখিছিল। সেই সময়ত কাম্বুকপত দত্ত উপাধিধাৰী কিছুমান নাগৰ ব্ৰাহ্মণ আছিল। ভাস্কৰ বৰ্ম্মাৰ তামৰ ফলিত অন্ততঃ দুজন দত্ত উপাধিধাৰী ব্ৰাহ্মণৰ নাম আছে। ৮ বাণাল দাস বানাজীয়ে তেওঁৰ History of Orissa নামে গ্ৰন্থত দেখুৱাইছে যে দশম শতিকাত কামৰূপৰ শুম্ভটক গ্ৰামৰ বিষ্ণুসোমাচাৰ্য্য নামে পণ্ডিত এজনে উৰীষ্যাৰ গন্ধ বজাবপৰা মাটি-বৃত্তি পাইছিল। বায়বাহাদুৰ আনন্দচন্দ্ৰ আগৰৱালাৰ মতে তেজপুৰৰ ভাটিৰ শিঙৰীয়েই শুম্ভটক গাওঁ। Giuseppe Tucci নামে ইটালীয় পণ্ডিত এজনে দেখুৱাইছে যে তিব্বতীয় গ্ৰন্থ Grub To'b অনুসাৰে তীন্ত্ৰত বৌদ্ধধৰ্ম্ম প্ৰচাৰ কৰা বহলা নামে এজন পণ্ডিত কামৰূপৰ শূদ্ৰ। বহলাৰ গুৰু নাগাৰ্জ্জুন এজন প্ৰসিদ্ধ কবিৰাজ আছিল। আৰৱ ঐতিহাসিক (Alberuni) আলবেৰুণীয়ে তেওঁৰ নাম উল্লেখ কৰি গৈছে। তেওঁ দশম শতিকাৰ লোক। এওঁৰ নামৰ নাগাৰ্জ্জুনৰ বড়ি এতিয়াও অসমত চলি আছে। মহামহোপাধ্যায় ৺হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপাল দৰবাৰ লাইব্ৰেৰীৰ পৰা নাগাৰ্জ্জুনে লিখা যোগশতক নামে পুথি এখন আনিছে। এই যোগশতকত এশ প্ৰকাৰ বড়িৰ বিষয় লিখা আছে। যোগ অৰ্থে Prescription বা mixture। এওঁ যে এজন কামৰূপী বৈদ্য আৰু বৌদ্ধ আচাৰ্য্য আছিল তাৰ কোনো সংশয় নাই। আলবেৰুণীয়েও এওঁক এজন ডাঙৰ বৈদ্য আৰু alchemist বুলি কৈছে।

নৱম শতিকাৰ আদি ভাগত শঙ্কৰাচাৰ্য্য কামৰূপ দেশলৈ আহি কামৰূপী বৌদ্ধ দাৰ্শনিক অভিনৱ গুপ্তক বাদত পৰাস্ত কৰিছিল। চীন পৰ্য্যটক য়ুয়ানচাঙৰ জীৱনীৰ পৰা জনা যায় যে তেওঁ নালান্দাত থকা সময়ত কামৰূপৰ হীনযান মতাবলম্বী ব্ৰাহ্মণ এজনে নালান্দালৈ গৈ মহাযান সম্প্ৰদায়ৰ আচাৰ্য্য বিলাকেৰে সৈতে বাদ কৰিছিল। প্ৰাচীন কাল কামৰূপ গৌৰৱস্থল এই পণ্ডিতবিলাকে কামৰূপৰ বাহিৰে আন দেশতো কৃতিত্ব লাভ কৰিছিল।

সি যি হ'ক আমাৰ আলোচনাৰ বিষয় কামৰূপ বজাসকলৰ সাম্ৰাজ্যৰ দিন। ভাৰতবৰ্ষৰ ঐতিহাসিক-সকলে জানে যে গুপ্তসম্ৰাট স্কন্দগুপ্তৰ দিনৰ পৰাই গুপ্তসাম্ৰাজ্যৰ অধঃপতন আৰম্ভ হয়। স্কন্দগুপ্ত খ্ৰীঃ ৪৬৭ অব্দত মৰে। পশ্চিম ফালৰ পৰা হুনবিলাকৰ আক্ৰমণে গুপ্তসাম্ৰাজ্যক বলহীন কৰে। এই সময়ৰ পিছত কলীন যশোধৰ্ম্মা বৰ প্ৰতাপশালী হয়। তেওঁ অনুমান গঞ্চম শতিকাৰ শেষমানত মৌহিত্যৰ পাৰ পৰ্য্যন্ত সমস্ত পূৰ্ব্বভাৰত জয় কৰে। তেওঁৰ আক্ৰমণ এটি অভিযান মাত্ৰ আছিল। তাৰ পিছতে কামৰূপৰ বজাসকলে পশ্চিমৰ ফালে তেওঁলোকৰ বাজ্য বহলাবলৈ ধৰিলে। খ্ৰীঃ পঞ্চম শতিকাৰ শেষ বা ষষ্ঠ শতিকাৰ আদি ভাগত সৰ উত্তৰবঙ্গ আৰু বৰ্ত্তমান বিহাৰ প্ৰদেশৰ পূৰ্ণীয়া জিলা কামৰূপৰ ভিতৰত সোমাইছিল, কাৰণ সেই সময়ত মহাভূতবৰ্ম্মাই পূৰ্ণীয়া জিলাৰ কৌশিক বা কোশী নদীৰ পাৰত ব্ৰাহ্মণক মাটি দান কৰিছিল। সেই দানপত্ৰ পুথি যোৱাত মহাভূতবৰ্ম্মাৰ নাতিৰ নাতি ভাস্কৰবৰ্ম্মাই তাক ফলি কৰি দিয়ে। যি ঠাইত মহাভূতবৰ্ম্মাই মাটি দিছিল সেই ঠাই পূৰ্ব্বে গুপ্তসাম্ৰাজ্যৰ ভিতৰত আছিল। কামৰূপৰ বজাসকলে গুপ্ত সাম্ৰাজ্য দুৰ্ব্বল হোৱাৰ সুবিধা পাই নিজৰ বাজ্য বিস্তাৰ কৰিছিল। খ্ৰীঃ ষষ্ঠ শতিকাৰ শেষ মানত মগধত মহাসেন গুপ্ত নামে এজন পৰাক্ৰমী বজা হয়। এওঁ গুপ্তবংশৰে এজন বজা। গুপ্তবাজ্য হস্তী উদ্ধাৰ কৰিবলৈ এওঁ যৎপৰোনাস্তি চেষ্টা কৰিছিল। এই বজা যে দেৰিলে যে ক্ৰামৰূপৰ বজা সকলে সমস্ত পূৰ্ব্বভাৰত অধিকাৰ কৰি বহি আছে। এওঁ তেতিয়া কামৰূপ ৰাজ

সুস্থিতবৰ্ম্মাৰ বিৰুদ্ধে যুদ্ধৰ অভিযান কৰিলে। অনুমান এওঁৰ অধীনৰ মহাসামন্ত শশাঙ্ক এই অভিযানৰ সৈন্যাধ্যক্ষ (Commander-in-chief) আছিল। সৌহিত্যৰ পাৰত কামৰূপৰাজ সুস্থিত বৰ্ম্মাৰ পৰাজয় হৈছিল। এই পৰাজয়ৰ ফলত পুণ্ড্ৰবৰ্দ্ধন আকৌ মগধ বজাৰ অধীন হয় আৰু মহাভূত বৰ্ম্মাই দান কৰা মাটি কামৰূপৰাজ্যৰ বাহিৰে গৈ। উত্তৰ বঙ্গ আৰু মধ্য বঙ্গৰ শাসনকৰ্ত্তা হয় শশাঙ্ক। মহাসেন গুপ্তৰ মৃত্যুৰ পিছত শশাঙ্কই স্বাধীনতা ঘোষণা কৰি নিজ নামে মোহৰ মাৰে আৰু এনেকি মগধ পৰ্য্যন্ত আক্ৰমণ কৰে। শশাঙ্ক বৌদ্ধ বিদ্বেষী আছিল। এওঁ অন্ততঃ ৬০০ খ্ৰীঃত মগধ আক্ৰমণ কৰি গয়াৰ বোধি-দ্ৰুম উঘালি পেলায় আৰু বুদ্ধৰ চৰণ চিহ্ন থকা শিলৰ ডোখৰ নীত পেলাই দিয়ে। শশাঙ্কই ছোটনাগপুৰ আৰু উৰীষ্যা পৰ্য্যন্ত দখল কৰে। এনে সময়তে সুস্থিত বৰ্ম্মাৰ মৃত্যুৰ পিছত ভাস্কৰ বৰ্ম্মা কামৰূপৰ বজা হয়। ইফালে স্থানীশ্বৰত প্ৰভাকৰ বৰ্দ্ধনৰ পুত্ৰ বাজ্যবৰ্দ্ধন বজা হয়। এই সময়তে মালৰ বজা দেৱগুপ্তই বাজ্যবৰ্দ্ধনৰ ভনীজেঁাৱায়েক মৌখৰীবাজ গ্ৰহবৰ্ম্মণক বধ কৰি তেওঁৰ স্ত্ৰী বাজশ্ৰীক বন্দী কৰে। বাজ্যবৰ্দ্ধনে ভনীয়েকক উদ্ধাৰ কৰিবলৈ যুদ্ধ যাত্ৰা কৰি মালৰাজ দেৱগুপ্তক পৰাস্ত কৰে, কিন্তু মালৰাজৰ ন্যায়তা কৰিবলৈ যোৱা গৌড়াধিপতি শশাঙ্কই ছলেৰে নিজ শিবিৰলৈ বাজ্যবৰ্দ্ধনক মাতি নি হত্যা কৰে। এই সময় পাই বাজ্যবৰ্দ্ধনৰ ভায়েক শ্ৰীহৰ্ষবৰ্দ্ধনে বিপুল আয়োজন কৰি শশাঙ্কৰ বিৰুদ্ধে অভিযান কৰে। তেওঁৰ যুদ্ধযাত্ৰাৰ অলপ পিছত ভাস্কৰ বৰ্ম্মাৰ বিশ্বাসী দূত হংসবেগ বৈ তেওঁৰ শিবিৰত উপস্থিত হয়। ভাস্কৰ বৰ্ম্মাই হংসবেগৰ হাতত বহুত উপহাৰ দি পঠাইছিল। হংসবেগৰ চেষ্টাত শশাঙ্কৰ বিৰুদ্ধে শ্ৰীহৰ্ষ আৰু ভাস্কৰবৰ্ম্মাৰ মাজত মিত্ৰতা স্থাপিত হয়। এনে সময়তে শ্ৰীহৰ্ষই খবৰ পালে যে তেওঁৰ ভনীয়েক বাজশ্ৰী বিন্ধ্য পৰ্ব্বতৰ ফালে পলাই গৈছে। তেতিয়া তেওঁৰ প্ৰধান সৈন্যাধ্যক্ষ ভন্ডীক ভাস্কৰ বৰ্ম্মাৰ সহযোগে শশাঙ্কক আক্ৰমণ কৰিবলৈ পঠাই দি নিজে বাজশ্ৰীক বিচাৰিবলৈ গ'ল। বাণভট্টৰ শ্ৰীহৰ্ষ চৰিতত এই বিষাক কথা স্পষ্ট লিখা আছে। তাৰ পিছত পশ্চিমৰ পৰা ভন্ডীয়ে আৰু পূব ফালৰ পৰা "মহানৌ হস্ত্যশ্বপত্তি" লৈ ভাস্কৰ বৰ্ম্মাই আক্ৰমণ কৰাত outflanked হৈ শশাঙ্ক পৰাস্ত হৈ উৰীষ্যাৰ ফালে পলাই গ'ল। ভাস্কৰ বৰ্ম্মাই শশাঙ্কৰ বাজধানী কৰ্ণসুবৰ্ণ দখল কৰিলে আৰু তেতিয়াৰ পৰা পুণ্ড্ৰবৰ্দ্ধন আকৌ কামৰূপৰ দখল হ'ল। সেইবাবে কৰ্ণসুবৰ্ণৰ পৰাই ভাস্কৰ বৰ্ম্মাই মহাভূত বৰ্ম্মাৰ পূৰ্ব্বৰ দান বহাই বাখি তাম্ৰফলি লিখি দিলে। এইখনেই নিধানপুৰৰ তাম্ৰশাসন।

কৰ্ণসুবৰ্ণ দখল কৰি ভাস্কৰবৰ্ম্মা কামৰূপ, উত্তৰ বঙ্গ, মধ্য বঙ্গ আৰু তাম্ৰলিপ্তিলৈকে দক্ষিণ বঙ্গলৈ বজা হ'ল। কেৱল সমতট বোধকৰোঁ তেওঁৰ বাজ্যৰ বাহিৰ আছিল। তেওঁ অনুমান ৬১০ খ্ৰীঃত কৰ্ণসুবৰ্ণ জয় কৰে, কাৰণ শশাঙ্ক পৰাস্ত হোৱাৰ পিছতহে ৬১২ খ্ৰীঃ অব্দত শ্ৰীহৰ্ষৰ বাজমুকুট ধাৰণ মহোৎসৱ হয়।

কৰ্ণসুবৰ্ণ জয় কৰাৰ প্ৰায় ২০ বছৰ পিছত চীন পৰিব্ৰাজক য়ুয়ানচাং ভাৰতলৈ আহে। তেওঁ পুণ্ড্ৰবৰ্দ্ধন আৰু কৰ্ণসুবৰ্ণ পৰ্য্যটন কৰি তাত কোনো বজা পোৱা নাই। সেই দুই দেশ তেতিয়া ভাস্কৰ বৰ্ম্মাৰ অধীন আছিল। তেওঁৰ পাছৰ ইচিং নামে আন এজন চীন দেশীয় ভিক্ষুক আহি কেৱল সমতটত এজন বজা পাইছিল। এইজনা বজা অনুমান কামৰূপৰ কৰতলীয়া আছিল। কনৌজৰ উৎসৱৰ পিছত প্ৰয়াগত যেতিয়া য়ুয়ানচাঙে বিদায় লয় তেতিয়া ভাস্কৰ বৰ্ম্মাই তেওঁক তাম্ৰলিপ্তিৰ পথা জাহাজেৰে চীন দেশলৈ নিবাপদে পঠাবলৈ গাত লৈছিল। ইয়াকে উল্লেখ কৰি বীল চাহাবে লিখিছে :—

"And it would appear that Bhaskarvarman king of kamarupa and probably former kings of that kingdom, had this sea-route to china under their special protection"—(life of Hieuen Tsiang by S, Beal, Introduction (

ভাস্কৰ বৰ্ম্মা আৰু তেওঁৰ পৰবৰ্ত্তী কামৰূপৰ বজাবিলাক অন্ততঃ ১৫০ বছৰ তাম্ৰলিপ্তি অঞ্চলৰ বজা আছিল আৰু তাম্ৰলিপ্তি বন্দৰৰ অধিকাৰী আছিল বুলি বীল চাহাবে লিখা হলে ঠিক হ'লহেঁতেন।

শ্ৰীহৰ্ষৰ মৃত্যুৰ পিছতো ভাস্কৰ বৰ্ম্মা কামৰূপ আৰু বঙ্গদেশৰ সম্ৰাট আছিল। তেওঁক তেতিয়া চীন লিখক সকলে King of Eastern India অৰ্থাৎ পূৰ্ব্বভাৰতৰ ৰজা বুলি উল্লেখ কৰি গৈছে। ভাস্কৰ বৰ্ম্মাৰ পিছত যদিও তেওঁৰ নিজ বংশৰ ৰজাক খেদি শালস্তম্ভ ৰজা হ'ল তথাপি কামৰূপ ৰজাসকলৰ আধিপত্য অক্ষুণ্ণ আছিল। শালস্তম্ভ বংশৰ ৰজা শ্ৰীহৰ্ষ বৰ্ম্মাই কামৰূপ ৰাজ্য আৰু বহলাই পশ্চিমে মগধ আৰু কোশল আৰু দক্ষিণে উৰীষ্যা দখল কৰে। এই কথা তেওঁৰ জোঁৱায়েক নেপালৰ ৰজা জয়দেৱৰ শিলালিপিত স্পষ্টকৈ লিখা আছে। ৰায় বাহাদুৰ ৰমাপ্ৰসাদ চন্দই দেখুৱাইছে যে শ্ৰীহৰ্ষ বৰ্ম্মাই উৰীষ্যা অধিকাৰ কৰি তাত নিজ বংশৰ ক্ষমঙ্কৰ দেৱক ৰজা পাতে। ক্ষমঙ্কৰ দেৱৰ নাতিয়েক শুভকৰ দেৱৰ তামৰ ফলিত লিখা আছে যে তেওঁলোক "ভৌম" অৰ্থাৎ নৰক বংশীয়। শ্ৰীহৰ্ষ বৰ্ম্মাৰ মৃত্যুৰ পিছতহে ক্ষমঙ্কৰ দেৱ বংশীয় উৰীষ্যাৰ ৰজাবিলাক স্বাধীন হয়। শ্ৰীহৰ্ষবৰ্ম্মা উত্তৰ-পূৰ্ব্ব ভাৰতবৰ্ষত মহা পৰাক্ৰমী সম্ৰাট হৈছিল। তেওঁ অনুমান ৭৩০ খ্ৰীষ্টব্দত ৰজা হয়, আৰু তাৰ ১০ বছৰমানৰ পিছত মগধ, কোশল, কলিঙ্গ আৰু ওড্ৰ (উৰীষ্যা) জয় কৰে। এই সময়ত কনৌজৰ যশবৰ্ম্মা বৰ পৰাক্ৰমী হৈ উঠে। দুই বাঘে যেনেকৈ একে চোঙতে নাথাকে সেই দৰে দুজন প্ৰতাপী সম্ৰাট উত্তৰ ভাৰতবৰ্ষত মিত্ৰ ভাবে থকা অসম্ভৱ হ'ল। অৱশেষত যশবৰ্ম্মাই অভিযান কৰি আহি মগধত শ্ৰীহৰ্ষ বৰ্ম্মাক পৰাস্ত কৰি বধ কৰিলে। যশবৰ্ম্মাৰ চ'ৰাত দুজন কবি আছিল, এজন ভৱভূতি আৰু আনজন বাক্‌পতি। বাক্‌পতিৰ "গৌড়বধ" কাব্যত এই অভিযান বৰ্ণনা কৰা আছে, কিন্তু তাত গৌড়-মগধৰ ৰজাৰ নাম দিয়া নাই। পৰলোকগত ৺ৰাখালদাস বানাৰ্জ্জী প্ৰভৃতি কেজনমান বঙ্গদেশীয় লিখকে প্ৰমাণ কৰিব খোজে যে মহাসেন গুপ্তৰ বংশৰ জীৱিত গুপ্তই এইজন ৰজা, কিন্তু মাদ্ৰাজৰ নামজ্জলা ঐতিহাসিক শ্ৰীযুত কৃষ্ণস্বামী আয়েঙ্গাৰে দেখুৱাইছে যে যশবৰ্ম্মাই পৰাজয় কৰা গৌড়-মগধৰ ৰজা "গৌড়োড্ৰাদি কলিঙ্গ কোশলপতি" কামৰূপ ৰাজ শ্ৰীহৰ্ষবৰ্ম্মাৰ বাহিৰে আন কোনো হব নোৱাৰে।

যশবৰ্ম্মাই কামৰূপৰ সাম্ৰাজ্য ধ্বংস কৰিলে সঁচা কিন্তু তেওঁৰ সাম্ৰাজ্যও সৰহদিন নাথাকিল। কাশ্মীৰৰ ৰজা ললিতাদিত্য মুক্তাপীৰে তেওঁক পৰাস্ত কৰি তেওঁৰ সাম্ৰাজ্য ধ্বংস কৰিলে। এই মুক্তাপীৰে উত্তৰবঙ্গ পৰ্য্যন্ত জয় কৰা কাশ্মীৰৰ বুৰঞ্জীত আছে, কিন্তু ঐতিহাসিক সকলে এই কথা বিশ্বাস নকৰে।

শ্ৰীহৰ্ষবৰ্ম্মাৰ মৃত্যুৰ পিছত তেওঁৰ পুতেক দ্বিতীয় বলবৰ্ম্মা কামৰূপৰ ৰজা হয়। তেওঁ বঙ্গদেশত কামৰূপৰ আধিপত্য ৰাখিব নোৱাৰিলে। এই সময়ত বঙ্গদেশত অৰাজকতা হয়। ইয়াকে ধৰ্ম্মপালৰ শাসনত মাৎস্যন্যায় বোলা হৈছে। এই অৰাজকতাৰ সময়তে উৰীষ্যাৰ শৈল বংশীয় ৰজাই, গুৰ্জ্জৰত ৰজাই আৰু ৰাষ্ট্ৰকুটৰ ৰজাই বঙ্গদেশ আক্ৰমণ কৰে। বলবৰ্ম্মাই এই বিলাক আক্ৰমণ নিৰোধ কৰিবলৈ যত্ন নকৰি বোধকৰোঁ। পূৰ্ব্বৰ কামৰূপ ৰাজ্য কথমপি নিৰাপদে ৰাখিছিল। শেহত অষ্টম শতিকাৰ শেষ পদত পালবংশীয় গোপাল পৰাক্ৰমী হৈ গৌড়-মগধৰ ৰজা হয়। এই পৰাক্ৰমী ৰজা সকলৰ সময়ত পুণ্ড্ৰবৰ্দ্ধন আকৌ গৌড়ৰাজ্যৰ ভিতৰত ভুক্ত হয় আৰু উত্তৰ বঙ্গৰ কেৱল জলপাইগুৰী, ৰংপুৰ আৰু কোছবিহাৰ কামৰূপৰ ভিতৰত থাকে। এই দৰেই কামৰূপ সাম্ৰাজ্যৰ অন্ত হয়। এই সাম্ৰাজ্যৰ স্থিতি কাল খ্ৰীঃ ৬১০ অব্দৰ পৰা অনুমান ৭৫০ অব্দলৈকে থাকে। নেপালৰ ৰজা জয়দেৱৰ লিপিৰ তাৰিখ খ্ৰীঃ ৭৪৮ অব্দ। অনুমান তাৰ দুবছৰমান পিছতে শ্ৰীহৰ্ষবৰ্ম্মা যুদ্ধত নিহত হয় আৰু কামৰূপ সাম্ৰাজ্য ধ্বংস হয়।

শ্ৰীহৰ্ষবৰ্ম্মাৰ প্ৰায় এশবছৰ পিছত তেওঁৰ বংশৰ কামৰূপ-ৰাজ বনমালে অনুমান জলপাইগুৰী জিলাত ত্ৰিস্ৰোতাৰ পশ্চিমে ব্ৰাহ্মণক মাটি দিয়ে। তেতিয়ালৈকে আৰু তাৰ পিছতো উত্তৰে মিথিলালৈকে কামৰূপৰ সীমা আছিল। বনমালৰ ফলিত লিখা আছে যে তেওঁ দানকৰা মাটি চন্দ্ৰপুৰীৰ ওচৰত অথচ মহাভূত বৰ্ম্মাই দিয়া মাটি চন্দ্ৰপুৰী বিষয়ৰ অন্তৰ্গত আছিল। তেতিয়াৰ বিষয় আজি কালিৰ district বা জিলাৰ সমান আছিল। গতিকে চন্দ্ৰপুৰী বিষয় অনুমান পূবে মহানন্দা আৰু পশ্চিমে কৌশিকা

এই দুই নদীৰ মাজত আছিল আৰু বৰ্ত্তমানে দিয়া মাটি মহানন্দা আৰু ত্ৰিস্ৰোতা বা তিস্তাৰ মাজত আছিল। ইংৰাজী ১৭৮৩ চনৰ ৰেনেল চাহাবৰ মেপৰপৰা বুজা যায় যে সেইসময়ত আৰু তাৰ পূৰ্ব্বে তিস্তা কৰতোৱাৰ পশ্চিমে আছিল। আশ্চৰ্য্যৰ বিষয় এই যে ইয়াৰ ওপৰতো শ্ৰীযুত সোণাৰাম চৌধুৰীয়ে প্ৰমাণ কৰিব খোজে যে মহাভূতবৰ্ম্মাই দানকৰা মাটি বৰ্ত্তমান কামৰূপ জিলাৰ ভিতৰত। স্বদেশ গৌৰৱ বৃদ্ধিৰ নিমিত্তে হ'ক বা নহ'ক অন্ততঃ ঐতিহাসিক সত্যৰ খাতিৰতো চৌধুৰী ডাঙ্গৰীয়াৰ এই চেষ্টা ঠিক হোৱা নাই। চন্দ্ৰপুৰী বিষয়ান্তৰ্গত ময়ূৰ-শাল্মল অগ্ৰহাৰ ক্ষেত্ৰৰ মাটি কৌশিকা নদীৰ পাৰত বুলি ফলিত স্পষ্টকৈ লিখা আছে। দানকৰা মাটিৰ দুটা সীমা কোশিকা-নদীৰ পুৰণি সোঁতা। ১৭৮৩ চনৰ ৰেনেল চাহাবৰ মেপত এই পুৰণি সোঁতা। দেখুৱা আছে। পূৰ্ব্বে কৌশিকা নদী বৰ্ত্তমান পূৰ্ণীয়া চহৰৰ পশ্চিমেদি বৈ আকৌ পূবমুখা হৈ ৰাজমহলৰ ওচৰত গঙ্গাত পৰিছিল। এতিয়া সেই নদী ৰাজমহলৰ প্ৰায় ৪০ মাইল পশ্চিমে গঙ্গাত পৰিছে। দেখা যায় ভাস্কৰবৰ্ম্মাই ফলি কৰি দিয়াৰ পূৰ্ব্বেই কোশিকাই পুৰণি সোঁতা এৰিছিল। চৌধুৰী মহাশয়ে কৌশিকা নদীৰ কথা একেবাৰে পাহৰি দানকৰা মাটি কামৰূপ জিলাৰ ভিতৰত পেলাব খোজে। বৰ্ত্তমান কোশীয়েই যে কৌশিকানদী এই কথা হিমালয়ৰ পৰা কুমাৰিকালৈকে সকলোৱে স্বীকাৰ কৰে। মেগেস্থেনিচৰ Cosoagus এই কৌশিকা নদী। এই কৌশিকা নদীৰ পাৰৰ মাটি বৰ্ত্তমান কামৰূপ জিলাৰ ভিতৰত কেনেকৈ হয়? বিষয় শব্দ কামৰূপী হয় সঁচা কিন্তু দানকৰা মাটিও কামৰূপ ৰাজ্যৰ ভিতৰতহে আছিল। দানকৰ মাটি ভট্টাচাৰ্য্যই ভাটিৰ ৰংপুৰ জিলালৈ টানিব খোজে কিন্তু আমি তাতকৈ ভাটি পূৰ্ণীয়া জিলাত পাতোঁ। ইয়াত কিয় আপত্তি হয়? পূৰ্ণীয়া জিলালৈকে কামৰূপৰ সীমা আছিল। ময়ূৰ শাল্মলক "মৌৰা শিমলীয়া" আৰু অগ্ৰহাৰ শব্দৰ অৰ্থ লৈ মন নকৰি তাক "আগ্ৰা" আৰু "বলি চৰুসত্ৰ" এই তিনিটা শব্দৰ কি অৰ্থ তালৈ নাচাই তাক "বালিসত্ৰ" পতা বুৰঞ্জী শাখাৰ সভাপতিৰ পক্ষে অসঙ্গত হৈছে, আমি নকৈ নোৱাৰিলোঁ। তেখেতে আমাক ক্ষমা কৰিব। "বলিচৰুসত্ৰ" শব্দকেইটাৰ উল্লেখ ভাৰতবৰ্ষৰ আন ঠাইৰ শাসনতো পোৱা যায়। "বলি" শব্দই গন্ধপুষ্প নৈবেদ্যাদি বুজায়, "চৰু" শব্দই অন্নাদি পাক কৰা উপহাৰ বা ভোগ বুজায় আৰু "সত্ৰ" শব্দই অতিথিশালা বুজায়। ভাস্কৰবৰ্ম্মাই দানকৰা মাটিৰ ৭ অংশ "বলি-চৰু-সত্ৰ" অৰ্থাৎ অগ্ৰহাৰৰ পূজা, ভোগ আৰু অতিথিশালাৰ খৰচৰ নিমিত্তে ৰাখি বাকি ১৫০ অংশ ২০৫ জন ব্ৰাহ্মণক ভগাই দিছিল। অনুমান এই অগ্ৰহাৰটি এটি শিৱ মন্দিৰ আছিল। ভাৰতবৰ্ষৰ আন ঠাইৰ প্ৰাচীন হিন্দুৰজা সকলেও এই প্ৰকাৰ দানকৰা বৃত্তিৰ অংশ "বলি-চৰু-সত্ৰৰ" বাবে ৰখা দেখা গৈছে।

এই ২০৫ জন ব্ৰাহ্মণৰ ভিতৰত বহুতৰ ঘোষ, দত্ত, দাস, পাল, নন্দী, দেৱ, মিত্ৰ, সোম, নাগ ইত্যাদি উপাধি দেখা যায়। ডাক্তৰ ভাণ্ডাৰকাৰে দেখুৱাইছে যে এইবিলাক নাগৰ ব্ৰাহ্মণ সকলৰ উপাধি আছিল। নাগৰ ব্ৰাহ্মণ বিলাকৰ আদি বাসস্থান পঞ্জাবৰ "সপাদ লক্ষ" বা siwalik hills. কেনেকৈ এই ব্ৰাহ্মণ সকলে পঞ্চম শতিকাৰ শেহত মিথিলা কামৰূপৰ সীমাত আহি বসতি কৰিলে কব নোৱাৰি। পৰবৰ্ত্তী সময়ত এই বিলাক বামুণ-কায়স্থ বা ব্ৰহ্মক্ষত্ৰীয়ত পৰিণত হ'ল। এই বিলাক উপাধি বঙ্গদেশত ইমান প্ৰচুৰ যে কামৰূপৰ পৰাই যে দক্ষিণে গৌড় আৰু বঙ্গত ব্ৰাহ্মণ কায়স্থাদি আৰ্য্যসকলৰ বসতি হ'ল তাৰ কোনো সংশয় নাই। বঙ্গদেশৰ আদি-শূৰৰ সময় অষ্টম শতিকাত। তাৰ দুশ বছৰ পূৰ্ব্বেই কামৰূপৰ পৰা ব্ৰাহ্মণ কায়স্থগৈ গৌড়ত বসতি কৰিছিল। ভাস্কৰ বৰ্ম্মাৰ ফলিত ব্যৱহাৰী (উকীল) হৰদত্ত কায়স্থৰ নাম লিখা আছে। অনুমান এওঁ ব্ৰাহ্মণসকলৰ পক্ষে ওকালতি কৰি পূৰ্ব্বৰ দান বজাই ৰখাই নতুন ফলি কৰোৱাইছিল আৰু যাতে ব্ৰাহ্মণসকলৰ স্বত্ব সম্পৰ্কে ভবিষ্যতে গোলমাল হব নোৱাৰে তাৰ বাবে ফলিৰ একেবাৰে শেহত তলত ছাত্ৰটি সৱ লিখাইছিল:—"আগৰ শাসনখনি পুৰি যোৱাত এইখানি নকৈ শাসন লিখা হৈছে, সেইবাবে আগৰ শাসনৰ আখৰতকৈ এই শাসনৰ আখৰ

ভিন, সেইগুণে কিন্তু এই শাসন কূট বা জাল নহয়।"
উকীলব বুদ্ধিব চিন ইয়াতে দেখা যায়।

স্যাব এডবার্ড গেইটে জয়দেবব লিপি অত্যুক্তি বুলি ইতিকিং কবি কামরূপব বিস্তীর্ণ সাম্রাজ্যব কথা বিশ্বাস কবা নাই আৰু ভিন্সেণ্ট স্মীথেও কোনো উল্লেখ কবা নাই, কিন্তু ভাবতবর্ষীয় ঐতিহাসিক সকলে জয়দেবব লিপিব বিববণ সত্য বুলি ধবিছে। গেইট চাহাবব ইতিকিং সম্পূর্ণ অযৌক্তিক। শিলালিপি, তামব ফলি এইবিলাকব প্রমাণ অগ্রাহ্য কবিবব কোনো কাবণ নাই। গেইট চাহাবব মতে কর্ণসুবর্ণ শ্রীহর্ষবর্দ্ধনেহে জয় আৰু দখল কবে, অথচ নিধনপুব ফলিত স্পষ্ট লিখা আছে যে ভাস্কব বর্ম্মাই কর্ণসুবর্ণ জয় কবে। বঙ্গদেশীয় ঐতিহাসিক ৺বাখালদাস বানার্জ্জী, বায়বাহাদুব ৺মাপ্রসাদ চন্দ আদিয়ে কয় যে ভাস্কব বর্ম্মাইহে শশাঙ্কক খেদি কর্ণসুবর্ণ আৰু গৌড়ব বজা হয়। শ্রীহর্ষবর্দ্ধনে গৌড়দেশ নিজ সাম্রাজ্যব ভিতবত ভুক্ত কবি লোৱাব কোনো প্রমাণ নাই। খ্রীঃ ৬৪৩ অব্দত বাজমহলত শিবিব পাতি শ্রীহর্ষই ভাস্কব বর্ম্মাক মাতি পঠায়। তেওঁ ভাস্কব বর্ম্মাব বাজ্যত ভবি দিয়া নাছিল, শ্রীহর্ষব নিমন্ত্রণ পাই ভাস্কব বর্ম্মাই য়ুয়ানচাঙ্গক লগতলৈ বাজমহলব বাহিবত শ্রীহর্ষক দেখা কবে আৰু তাব পবা দুয়োজন সম্রাটে সয়োভবেবে কনৌজলৈকে যাত্রা কবে। য়ুয়ানচাঙ্গব জীৱনীত এইবিলাক বিববণ ভালকৈ লিখা আছে। অমুমান বাজমহলব পবা যাওঁতে বাটতে দুয়োজনে য়ুয়ানচাঙ্গব সৈতে নালান্দাত তাত দিছে নিজ Seal বা মোহব খৈছিল। ১৯১৭ চনত নালান্দাব ভেটি খানোতে তাত ভাস্কব বর্ম্মাব Seal আৰু শ্রীহর্ষব Seal একেলগে পোৱা হৈছে (Vide list of ancient monuments in Bihar & Orissa province by M. Hamid Kuraishi, Superintendent, Archaeological Survey, central circle) কনৌজ আৰু প্রয়াগত শ্রীহর্ষই ভাস্কব বর্ম্মাক মিত্ররজাব দবে ব্যবহাব কবি সম্মান কবিছিল। এনেকি তেওঁব নিজ জামাতা বল্লভীব বজাতকৈও ভাস্কব বর্ম্মাক উচ্চ আসন দিছিল। এনে অৱস্থাত ভাস্কব বর্ম্মাক শ্রীহর্ষব তলতীয়া বজা কবা নিতান্ত অসঙ্গত। শ্রীহর্ষই নিজে বচা নাটক প্রিয়দর্শিকাত তেওঁব মিত্র বজাবিলাকক "বাজসমূহ" আৰু তলতীয়া বজাবিলাকক "পাদপদ্মোপজীবি" বুলিছে। M. R Kale নামে বোম্বে প্রদেশব পণ্ডিত এজনে লিখিছে যে শ্রীহর্ষব দুজন মাত্র ally বা বন্ধুবজা আছিল, এজন ভাস্কব বর্ম্মা আনজন বল্লভীব বজা। বাকীবিলাক তেওঁব অধীনব তলতীয়া বজা আছিল। এওঁলোকেই শ্রীহর্ষব পাদপদ্মব আশ্রয়ত থকা বজা।

ভাস্কব বর্ম্মাব পবা শ্রীহর্ষবর্ম্মালৈকে এই এশ বছব গৌড়-বঙ্গব কোন বজা আছিল কোনোবাই সাহসেবে আগুলিয়াই দেখাব পাবেনে? আদিত্য সেনব কেৰাখনা শিলা-লিপি পোৱা হৈছে। এই এটাইবিলাক ভাস্কব বর্ম্মাব মৃত্যুব পিছব। এখনতো এনে কথা নাই যে তেওঁ ভাস্কব বর্ম্মাক নাইবা তেওঁব কোনো উত্তবাধিকাবীক খেদি গৌড়-বঙ্গ অধিকাব কবিছিল। আচলতে খ্রী ৬১০ অব্দব পবা ৭৫০ অব্দলৈকে ভাস্কব বর্ম্মা, শালস্তম্ভ, বিজয় বর্ম্মা, পালক, কুমাব, বজ্রবর্ম্মা আৰু শ্রীহর্ষবর্ম্মা কামরূপ, গৌড় আৰু বঙ্গব ওপবত চক্রবর্ত্তী বজা আছিল এয়ে কামরূপ সাম্রাজ্যব কাল। গৌড়বঙ্গ আৰু মগধত পাল বজাসকলব প্রাধান্য হোৱাব পবা কামরূপব গৌবব হ্রাস হবলৈ ধবিলে। সেই সময়তো হর্জ্জব বর্ম্মা, বনমাল বর্ম্মা, বীববাহু আৰু তৃতীয় বলবর্ম্মা পবাক্রমী বজা আছিল। তেওঁলোকব দিনতে প্রকৃততে গৌড়-বঙ্গব পাল বজাই কামরূপ আক্রমণ কবিবলৈ সাহ কবা নাছিল।

ঐতিহাসিক যুগব কামরূপ সাম্রাজ্যব বিষয়ে চমু ভাবে আলোচনা কবা গ'ল। প্রাগঐতিহাসিক যুগত ভগদত্ত বজাব সাম্রাজ্যও কামরূপ-বঙ্গদেশ জুবি আছিল। মুছলমান-বিলাক বঙ্গদেশলৈ প্রথমে আহি সেই দেশব পুবাতত্ত্ব বিচাবি চাই পালে যে গৌড়ব অতি প্রাচীন বজা ভগদত্ত, যাব বাপব বজাই ২০০০ বছব বাজত্ব কবিছিল। এই কথা আইন আকববী, বিবাজ উস্ চালাটীন প্রভৃতিব গ্রন্থত লিখা আছে। বংপুব, দিনাজপুব, মৈমনসিং, ঢাকা, শ্রীহট্ট প্রভৃতি "জিলাত ভগদত্তেব বাড়ী" বহুত আছে। বংপুব জিলাব পৈবাবন্দ পবগণা ভগদত্তব কন্যা পৈবাবতীব নামে

হোৱা বুলি আজি পর্য্যন্ত প্রবাদ। বর্ত্তমান বঙ্গদেশব এইবিলাক জিলাত প্রাচীন কামরূপ বজাসকলে নির্ম্মাণ কবা গড়, আলি আৰু মন্দিবব ধ্বংসাবশেষ বহুত পোৱা হৈছে। মোটা শতিকাব এছিয়াটিক ছোছাইটব জর্ণেল বিলাকত এইবিলাক ধ্বংসাবশেষব বহুত বিববণ পোৱা যায়। কামরূপ বজাসকলে গৌড়ত নির্ম্মাণ কবা আলিব নাম খ্রীঃ নবম শতিকাব ধর্ম্মপালব শাসনতো পোৱা যায়। এই শাসনত উল্লেখ কবা "দেবট আলি" আৰু "বিটক আলি" আমাব "গোহাই কমল আলি" আৰু "দোধব আলি"ব নিচিনা আলি। "আলি" শব্দ কামৰূপী গৌড় লেখমালাত এই "আলিব" অর্থ কবা হৈছে "সেতু" আৰু ডাক্তব হর্ণলীয়ে "আলি"ব অর্থ কবিছে Dike বা মণ্ডাডীব। প্রকৃততে কিন্তু কামরূপব বজাসকলে এইবিলাক বাজপথব নাম "আলি" বাখিছিল আৰু নৰম শতিকালৈকে সেই নামেই প্রচলিত আছিল।

মহাভাবতব যুদ্ধ অর্থাৎ খ্রীষ্টব ১০০০ বছব আগেয়ে গঙ্গাব দক্ষিণে আছিল লৌহিত্য সাগব। এই সাগবব মাজব দ্বীপবিলাকক বঙ্গ বোলা হৈছিল। উত্তবে হিমালয়, দক্ষিণে লৌহিত্য সাগব পুবে পাটকাই পর্ব্বতমালা আৰু পশ্চিমে কোশল-মগধ এয়ে আছিল বিস্তীর্ণ প্রাগজ্যোতিষ বাজ্য। বর্ত্তমান বঙ্গদেশব অধিক ভাগ আছিল সাগবব গর্ভত। বৌদ্ধ জাতকবিলাকত লিখা মতে চম্পা অর্থাৎ বর্ত্তমান ভাগলপুবব পবাই সমুদ্রগামী পোতবিলাক বোৱাই হৈ বাওনা হৈছিল আৰু মেগেস্থিনিচব বিববণ মতে মগধব মাজব গঙ্গা ৮ মাইল বহল আছিল। গঙ্গাব মোহনাত দ্বীপ আছিল। নাগব কিমান ওচব আছিল ইয়াব পবাই বুজা যায়। কামৰূপী বণিকবিলাকে গাবো পাহাবব মূব ঘুবিবেই সাগবত পবিছিল। ডাকব বচনত সাগব পাব হৈ লঙ্কাত বণিজ কবাব উল্লেখ আছে। এই লঙ্কা সিংহল নহয়। ই য়ুয়ানচাঙ্গে নাম কবা কাম লঙ্কা বা Arracan coast. আমাব চান্দ, সদাগব আৰু বেহুলাক আৰু অষ্টম শতিকাব ডাকক এতিয়া বঙ্গালীসকলে নিজব কবি লৈছে। এনেকি বেহুলাব গীত বচক সুকবি নাবায়ণ, যাব "সুকানী" (সুকবি নাবায়ণী) এতিয়াও কামরূপব গীত হয়—তেওঁ বঙ্গদেশী বুলি খ্যাত হৈছে।

সৌন্দর্য্য-পিয়াসী

—শ্রীযুত শৈলধব বাজখোৱা বি-এ

কবিতা—

প্রেমব কবিতা বচি প্রণয় সঙ্গীত গাই
দেখোঁ মই সুখব সপোন ;
শতেক যৌৱন মোব হ'ল আজি অবসান,
তুমি মোব মহলা আপোন !
মতেই অকণি দেখোঁ তোমাব কপব ছাঁয়া,
মন মোব তাতেই পাগল,
গোটেই জগত ঘুবি নাপালোঁ তোমাক মই
এইবাবো জনম বিফল।
সৌন্দর্য্য-পিয়াসী মই সকলো সুন্দব হায় !
চাওঁতেই জাঁই পবি যায় ;
বাঢ়ি যায় লগে লগে আকুল পিয়াহ মোব,
প্রাণে মোব তৃপিতি নাপায়।
সেইদিনা দেখিছিলোঁ ধুনীয়া পদুম পাহি
আজি দেখোঁ পাহি সবি গ'ল ;
সেই দিনা দেখিছিলোঁ শিশুব মধুব হাঁহি,
আজি দেখোঁ কেনিবাদি গ'ল !

ৰূপহী কিশোৱী লীলা পদ্মেকতে মাব যায়,
মাব যায় নাৰীব যৌৱন ;
বাবে বাবে আহে যায় সুন্দব শাবদী নিশা,
দেখো' যেন নিশাব সপোন।
সিদিনা শুনিলোঁ মই অনন্ত সুন্দব তুমি,
অন্তহীন চেনেহ তোমাব ;
সেইদিনা সঁপি দিলোঁ জীৱন-যৌৱন মোব
পাওঁ বুলি প্রতিদান তাব।
গহীন চপব নিশা শুনিছোঁ তোমাব গীত,
তুমি মোব নিচেই কাষত ;
নিশুঙ টানিছোঁ মই প্রণয় সঙ্গীত গাই,
নপবেনে এবাবো মনত ?
তোমাব ঢাকনিখনি আঁতবোৱা মায়া সখী,
চাই যাওঁ সিন্ধুব মাধুবী ;
জনমে জনমে মই বিচাবি ফুবিছোঁ যাক
তেওঁ কিয় থাকিব আঁতবি ?

"অসাৱে খলু সংসাৱে"

গল্প— —শ্রীযুত মহীচন্দ্র বৰা বি-এল

পতি ধর্ম্ম, পতি স্বর্গ

নাৰী প্রগতিৰ, স্ত্রী জাগৰণৰ যুগ। মহিলা সঘ, মহিলা সমিতি আদি ঠাইে ঠাইে স্থাপিত হৈ যেতিয়া ঘনাই ঘনাই তাৰ অধিবেশন বহিবলৈ ধৰিলে তেতিয়া বহুত পুৰুষৰ প্রাণত আতঙ্ক উপস্থিত হ'ল। পুৰণি যৱণৰ দুই এগৰাকী মহিলায়ো সময়ে সময়ে নাক কোঁচালে। কিন্তু স্থানীয় মহিলা সমিতিৰ বিশেষকৈ তাৰ সম্পাদিকা মিছ লৱঙ্গলতিকাৰ প্রতি সৃষ্টিধৰ পেচকাৰকে প্রমুখ্য কৰি আদহীয়া সকলৰ আক্রোশ বাঢ়ি উঠিল সেইদিনা, যিদিনা বাল্য বিবাহ নিৰোধ আইন সমর্থনৰ লগে লগে সমিতিৰ প্রস্তাৱ গৃহীত হ'ল—দুকুৰিৰ দেওনা পাৰ হোৱা পুৰুষ সকলে পুনৰ বিয়া কৰাব নোৱাৰা আইন প্রণয়ন কৰিব লাগে বুলি কর্তৃপক্ষক জনাবলৈ।

অৱশ্যে পেচকাৰৰ আক্রোশৰ এটা কাৰণো আছিল। তেওঁৰ বয়স ঘোৱা আঘোণত মাথোঁ দুকুৰি বছৰ পাৰ হৈ গৈছিল। বৈধীয়েক বেণুকাৰ অনেক দিনৰে পৰা সদায় নেহ-নেহ ঠেহ-ঠেহ এটা নহয় এটা লাগি আছিলেই। মাক বুঢ়ী হলহি এতিয়াও নাতি নাতিনীৰ মুখ নেদেখাত বুঢ়ীৰ হিয়াত বাৱৰৰ চিতা হ-হকৈ জ্বলিছিল। তাতে ঈশ্বৰৰ ইচ্ছাত পেচকাৰৰ ধন সোণ বঢ়াৰ লগে লগে মনো বাঢ়িছিল, প্রতিকে আকৌ নতুন সংসাৰ ৰচনা কৰাৰ কল্পনায়ো পখিলাৰ দৰে মাজে মাজে তেওঁৰ মনত জাকি মাৰি মাৰি উঠিছিল। এনে সময়ত এইবোৰ কি অনাসৃষ্টিৰ কথা! পুৰুষৰ জন্মস্বত্বৰ, পৰমগুৰু পতিসকলৰ কার্য্য কলাপ আৰু অধিকাৰৰ প্রতি নাৰীৰ এনে অনধিকাৰ কটাক্ষ কিয়? পেচকাৰ আৰু তেওঁৰ সমনীয়া সকলৰ মুখত শাস্ত্রৰ হেজাৰ-বিজাৰ শ্লোক আখৈ ফুটাদি ফুটি উঠিল। নকুল নাজিৰৰ এই সিদিনা মাথোঁ তৃতীয় পত্নীৰ বিয়োগ ঘটিছিল। তেওঁ দাঁড়ি জোকাৰি জোকাৰি মুখ নিটকাই কলে—"মহিলা সমিতিয়ে আইন কৰি বহুনীয়াৰ বিয়া বন্ধ কৰিব লাগে বুলি চিঞঁবিছে হয়, কিন্তু কেইজনী তিবোতাই আইনৰ মেৰপাক বুজেহে? এই ডিকন ছোৱালীজনী আহিয়েই সকলো তিবোতাৰ মুৰ গৰম কৰি তুলিছে দেখিছোঁ। তাই জানেই বা কি ফুটুকাৰ ফেন সোপা? মৌপিয়া চবায়ে পর্ব্বত তুলিবলৈ ঘোৱা দেখি হাঁহিও উঠে, বেজাৰো লাগে।"

ফলত অনেক মহিলাৰ মহিলা সমিতিলৈ ঘোৱাৰ বাটত হেঙ্গাৰ পৰিল। পেচকাৰৰ দাপনি-গৰজনিত আৰু শাহুৰেকৰ গৰকনিত বেচেৰী বেণুকাৰ জাগৰণো অচেতন হৈ পৰিল। পেচকাৰে শোৱা ঘৰৰ বেৰত ধুনীয়া ফ্রেমেৰে চিত্র বিচিত্র আখৰৰ "মটো" আঁবি বেণুকাক পঢ়ালে—

'নাৰী জন্মত স্বামী পদ অমূল্য সম্পদ,—
সেবা সেই মোক্ষপদ ওচৰি আপদ।"
"পতি ধর্ম্ম, পতি স্বর্গ; পতিহি পৰমন্তপঃ।
পতবি প্রীতিমাপন্নে প্রিয়ন্তে সর্ব্ব দেৱতাঃ॥"

যত্র নার্য্যাঃ ন পূজ্যন্তে···

দেওবাৰ। ভাত-পানী খাই-বৈ উঠি পেচকাৰ স্থিৰীয়ে বেণুকাৰ আগত সতীৰ দেহত্যাগৰ আখ্যান বর্ণাই আছিল। হঠাৎ মিছ লৱঙ্গলতিকা ভিতৰলৈকে সোমাই অহা দেখি পেচকাৰৰ চকু থিৰ হ'ল—বুকুখন অলপ কঁপি উঠিল। বেণুকাই আথেবেণে লৱঙ্গক বহিবলৈ দিলে। "সতীৰ নাম বৰকৈ শোৱা শুনিছিলোঁ—বাইদেওক পতি-ভক্তি মহিমা বুজাইছে হবলা?"—বুলি হাঁহি হাঁহি লৱঙ্গই পেচকাৰৰ মুখলৈ চাই সুধিলে।

"না-আ-ই-ই—এই কিবা বোলেনে!" পেচকাৰে সেপ টুকিলে। "এই কিবা বোলেনে বুলি কথা ঢাকিব নালাগে—আপোনাৰ মনৰ ভাব আমি ভালৃকৈ বুজিছোঁ। বুজিছে বাইদেও, ঈশ্বৰে নকৰক, আপোনাৰ কিবা এটা হলেই আপোনাৰ কলিৰ জাগ্রত এখেত সদাশিৱই সেই দিনাই যদি আকৌ বিয়াৰ নিমিত্তে হামবাও নাকাঢ়ে, তেন্তে মই মোৰ নাম সলাম।"

"থাক সেইবোৰ থোৱা, পিছে আহিলা কিয় লৱঙ্গ?"

"আহিলোঁ আপোনাৰ সদাশিৱৰ লগত দন্দ কৰিবলৈ। বাইদেও, বুজিছে, এখেতে আমাৰ মহিলা সমিতিলৈ কোনো নাযাবলৈ ঘৰে ঘৰে বক্তৃতা দি ফুৰিছে। ইঃ কি অপৰাধটোহে আমি সেইদিনা কৰিলোঁ। এখেতৰ নিচিনা আদহীয়া সকলে আকৌ বিয়া কৰিব নোৱাৰা আইন কৰিবলৈ কর্তৃপক্ষক ধাটনি ধৰোঁতেই—এখেতকে মুখ্য কৰি পৰমগুৰুসকলে—দেশ তললৈ গ'ল বুলি চিঞঁৰি উঠিছে। বাইদেও, সদাশিৱক ভয় কৰিবলৈ নিদিবা। যদি আইন কৰাব পাৰো, খাটি-খুটি এখেতক "একস্ট্রেপ্ শুনৰ" ভিতৰত থম। আৰু কেইজনী পাৰে সতীক সদাশিৱই চলাওক। কিন্তু তাৰ আগতে কালিলৈ আমাৰ মহিলা সমিতিৰ বছৰেকীয়া অধিবেশনলৈ আপোনাক পঠাব লাগিব। নহলে—"

বেণুকাই পেচকাৰৰ মুখলৈ চাই কলে—"এতিয়া আইটৰ কথাৰ উত্তৰ দিদিয়ে কিয়? পিছত মোৰ ওপৰত গৰগণাবে কিন্তু নহব।"

লৱঙ্গৰ কথাত পেচকাৰৰ মুৰ ঘুৰিল। তেওঁৰ মুখৰ ৰাত হৰিল। হিয়াত নানা ভাবে খেলি-মেলি লগালে। লৱঙ্গৰ চকুযুৰিতো পেচকাৰে কিবা এটি আকর্ষণী শক্তিৰ পৰিচয় পালে। সমশেষত মুৰ খজুৰাই সেপ ঢুকি কলে—"মই জানোঁ কিবা এওঁক সেইবোৰলৈ যাবলৈ বাধা দিছে? কেৱল এই কিবা বোলেনে...। থাক যাব খুইছে থাক।"

"যাব খুইছে থাক বুলিলে নেৰিছোঁ। ক'ক—থকনে, সুস্থ শৰীৰে, স্থ ইচ্ছাই, নিঃসঙ্কোচে পঠাম বুলি।"

গোঁফত তাও দি লৱঙ্গৰ ফালে কেবাহিকৈ হাঁহিৰ চুকুৰে চাই পেচকাৰে কলে—"তুমি দেখিছোঁ অতি চোকা টেকেলা। খতকে লিখাই লবা যেন পাইছোঁ। থাক পঠাম।"

"শুনিছে বাইদেও, কালিলৈ আবেলি তিনি বজাতে যেন হাজিৰ হয়গৈ। নহলে আপোনাৰ ঘৰতে কুৰুক্ষেত্রৰ আগন্তুক মিলিব।" পিছত যাবৰ সময়ত বেৰত আঁবি থোৱা চিত্র-বিচিত্র নীতিবাক্যবোৰলৈ চাই হাঁহি হাঁহি পেচকাৰক কলে—"এইবোৰ নিশ্চয় আপোনাৰ কীর্ত্তি। পিতাৰ ঠাইত পতি লিখি বাৰেবাংকৰা অশুদ্ধ কথাবে আজলী বাইদেওক ভুকৰিয়াই ভক্তি আদায় কৰিবলৈ ডাঙৰীয়াই কি চেষ্টাকেই নকৰিছে। বুদিটো বৰ বেয়া হোৱা নাই। বাৰু ছদিনমান বৰ, এইবোৰ ভাঙি-চিঙি চূণচাত কৰিমহি; তাৰ ঠাইত আপোনাৰ হুকুৱাৰেই অঁবাম—

"যত্র নার্য্যাঃ ন পূজ্যন্তে বমন্তে ন তত্র দেৱতাঃ।" পেচকাৰৰ প্রফুল্ল মুখৰ পৰা অতর্কিতে ওলাল—"লৱঙ্গ অৱশ্যে এজনী "চমজদাৰ" ছোৱালী—বচকী, লচপচী।"

অসাৱ সংসাৱ—

বেণুকাৰ শকত নবিয়া।

পেচকাৰ পকা বিষয়ী লোক। নবিয়া শকত হোৱাৰ লগে লগে জন্ম মৃত্যুত সেই সর্ব্ব নিয়ন্তাৰ বাহিৰে কাৰো হাত নাই, এই বিশ্বাসো তেওঁৰ প্রবল হৈ উঠিল। তিবোতা মানুহৰ জীৱ লেকেটাও।...তাতে মঙলা বুঢ়াই ও'ইপাৰ ছালৰ মোনাৰ পৰা কড়ি উলিয়াই এঢাল মাৰি পেচকাৰক অভয় দি জনাইছিল—"আইদেও যমৰ দুৱাৰৰ পৰা ঘুৰি আহিবই।" জীৰিকাৰ আন উপায় নেদেখি ইংৰাজী জ্যোতিষ শাস্ত্রৰ চুৰিগা পাত লুটিয়াইছিল—কীর্ত্তিকাস্থই। পেচকাৰৰ সমদ্ধত ভাগিন হয়। বেণুকাৰ হাত চাই সি দঢ়াই দঢ়াই কৈছিল—"মামীৰ কাৰণে চিন্তাৰ কাৰণ নাই। 'লাইফ লাইন'ৰ গাত ইমানবোৰ 'ছিষ্টাৰ লাইনছ' আঁউজি অছে গৈ যেতিয়া কাৰ সাধ্য তেওঁৰ অকাল মৃত্যু ঘটায়?" কিন্তু সেই বুলি পেচকাৰে বেণুকাৰ চিকিৎসাৰ প্রতি সম্পূর্ণ উদাসীন হৈ হাত সাৱটি বহি থাকিল এনে নহয়। অৱশ্যে তেওঁৰ কপাল এহতীয়া। অসম প্রবাসী

কবিৰাজ কামিনী ৰঞ্জন কবিৰত্ন এটা 'চিটিং' কেছৰ আসামী হৈ পেচকাৰৰ শৰণাগত হৈছিল।—তেওঁৰে দ্বাৰাই ৰেণুকাক বুৰিয়ে বুৰিয়ে বড়ি খুৱালে। তিৰোতাৰ চিকিৎসাৰ কাৰণে তাতকৈ আৰু কোনে বেছি কৰিব পাৰে? আৰু কৰেইবা কেইজনে?

ভালেদিন নিকাৰ ভুগি কবিৰাজৰ বড়ি আৰু নব্য জ্যোতিষীৰ বাণী নেওচি যেতিয়া ৰেণুকাই চিৰকাললৈ চকু মুদিলে তেতিয়া আমাৰ পেচকাৰৰ ঘৰত কাছাৰীৰ আমোলা মহৰিকে প্ৰমুখ্য কৰি বেদান্ত বাগীশ, ভট্টাচাৰ্য্য, শ্ৰুতিকৰ আদি লাহে লাহে থুপ খালেহি। সকলোৱে শোকাতুৰ পেচকাৰক শান্ত্বনা দি কলে—"বেজাৰ নকৰিব, বিহ্বল নহব, যিমানদূৰ মানুহে কৰিব পাৰে আপুনি সকলো কৰিলে। অৱশ্যে মনোমত পত্নী-শোক অতি গুৰুতৰ।" শ্ৰুতিকৰে কলে—"ভাগ্যৱতী নাৰী। কপালত সিন্দূৰলৈ পতিৰ চৰণ ধিয়াই সতী বৈকুণ্ঠী হ'ল। পঞ্চভূতৰ দেহা পঞ্চভূতত মিলি গ'ল"। বেদান্ত বাগীশৰ মুখৰ পৰা ওলালে—"নলিনী দলগত জলবৎ তৰলং। তদ্বৎ জীৱনং অতিশয় চপলম্।"

চিৰস্তাদাৰে ষাঠি বছৰ বয়সত তৃতীয় দাৰ পৰিগ্ৰহ কৰিছিল যদিও তেওঁ সাত্বিক, বৈষ্ণৱ লোক। পৰম পুৰুষক অন্তৰত ধিয়াই চকু মুদি তেওঁ গালে—"অথিৰ ধনজন, অথিৰ জীৱন, অথিৰ এহুঁ সংসাৰ—অ-অ।" ফয়চলা নবীছে কলে—"বিপদত ধৈৰ্য্য ধৰাহে যুগুত। সন্তাপ নকৰিব, দুবাৰো সংসাৰ পাতিলে, কিন্তু বিধি বাম হ'ল। আমাৰ ঘৰৰ আইটিহঁতৰ মাকে শুনিও তাকেই কৈছে।"

কবিৰাজ কামিনী ৰঞ্জনে কলে—"কী আশ্চৰ্য্য ব্যাপাৰ! এত ৰোগী দেখলাম কিন্তু এমন জীৱন্ত মৰণ আমি জীৱনে দেখিনি। হঠাৎ হাৰ্টৰ ক্ৰিয়া কেন যে বন্ধ হয়ে গেল! আমাৰ মহানীলকণ্ঠ, বৃহৎ কস্তুৰী ভৈৰৱ এবং ষড়গুণ-বলিজাড়িত স্বৰ্ণঘটিত সিদ্ধিকল্প মকৰধ্বজেৰ সংগ্ৰহটাৰ অল্প পৰিমাণ নাড়ীতে গিয়ে পৌছলেই—যমেৰ বাবাৰ...।" মৌলবী মোবাৰকউল্লাই দাঁড়ি মোহাৰি ওপৰলৈ চাই কলে—"মালেক্‌কা মৰ্জ্জি।"

ভট্টাচাৰ্য্যই সিদ্ধান্ত কৰিলে—মানুহৰ জীৱন কচু পাতৰ পানীৰ দৰে টলমল্। এই আছে এই নাই। এই অনিত্য মায়া মোহৰ সংসাৰত তেওঁহে নিত্য—সাৰবস্তু সেই নেদেখা জনহে। সেই দিনাৰ আলোচনাৰ মূৰকত এইটো স্বতঃসিদ্ধৰ দৰেই পুনৰ প্ৰমাণিত হৈ গ'ল যে সংসাৰ অসাৰ।

মহিলা সমিতিৰ এক আধ্যা—

মিছ লৱঙ্গলতিকাৰ চেষ্টাত ৰেণুকাৰ মৃত্যুত শোক জ্ঞাপন কৰিবলৈ আবেলি মহিলা সমিতিৰ এখনি বিশেষ অধিবেশন বহিল। সভাত মহিলাৰ সংখ্যা কম আছিল যদিও তেওঁলোকৰে লৰাছোৱালীৰ চিঞৰ-বাখৰ, হাই-উৰুমি, কান্দোন-কাটোন, পেন্‌পেননি-ভেন্‌ভেননিয়ে তাত অৰণ্যকাণ্ডৰ সৃষ্টি কৰিলে। হাকিমনীয়ে কলে—"দেহি মুখৰ মাত নোহোৱা মাটি মানুহ। শাহুৱেকে এফালৰ পৰা গৰকি নিলেও কেনেকৈনো এষাৰ কথা মুখৰ পৰা ওলায়। এনে তিৰোতাৰ মৰণত পেচকাৰে যে ঘনে ঘনে জলি থকা চিতাত জাপ দিবলৈ যাব তাত আচৰিত হব লগীয়া একো নাই।" উকীলনীয়ে মুখ বিদৰাই কলে—"আটন্তিয়াৰ পেচকাৰৰ ধন-সোণৰ অভাৱ নাছিল, ক'ৰ ফৰিদপুৰৰ ফটুৱা কবিৰাজটো লগালে! ভাল চিকিৎসা কৰোৱা হলে কিজানি বেচেৰীয়ে...।" হাজৰিকানী পেচকাৰৰ মোমায়েকৰ বায়েকৰ জীয়েক। কোলাত থকা কেঁচুৱাটো নিচুকাই তেওঁ কলে—"এ থৈ দিয়ক আয়ুসত চাউল নাথাকিলে ডাক্তৰ কবিৰাজ যাগ-যজ্ঞ সকলো মিছা।" চিৰস্তাদাৰণী তৰুণী। অলঙ্কাৰ-পাতিৰ পৰা আজি কেবা দিনো চিৰস্তাদৰৰ লগত ঠোটামোজা লাগি তেওঁৰ মনটো ভাল নাছিল। এটা হুমুনিয়াহ কাঢ়ি কলে—"ভালেই হ'ল দিয়ক। তিৰোতাৰ জীৱনত নো সকাম কি? আমি থাকিয়েই বা কি ৰাজপাট খাইছোঁ। আমালৈহে যম কণা হ'ল।" যমৰ নাম শুনি সুশী লপা, বুঢ়ী বৰুৱানীৰ বুকুখন অলপ কঁপি উঠিল। ঈশ্বৰৰ ইচ্ছাত আৰুবেলি জন্ম হোৱা ছোৱালীকণক আঠৌ পুতৌকৈ বুকুত সোমাই লৈ কলে—"কি অমঙ্গলীয়া কথা কোৱাহে? যাল মলিবলৈ মন আঠে তাইহঁতে টেটুত ঠিপ দলী লগালেই হয়।" আই ষষ্ঠীৰ কৃপাত শইকীয়ানীৰ কুৰি বছৰ বয়সতে পাঁচোটি লৰাছোৱালীয়ে ঘৰ আৰু হিয়া পোহৰাইছিল। আজি সাত বছৰে নানা জৰিফুহঁতি লৈও নানা পূজা-পাটল দিও বৰাণীয়ে সতি-সন্ততিৰ মুখ দেখা নাছিল। তাতে সিবাৰ পূজাত বহা আসনলৈ বৰাণী আৰু শইকীয়ানীৰে ভিতৰত এখন কুৰুক্ষেত্ৰও হৈ গৈছিল। বৰাণীলৈ কেৰাহিকৈ চাই শইকীয়ানীয়ে কলে—"সতী তিৰোতাই কপালত সেন্দূৰলৈ সিফলীয়া হোৱাত বেজাৰৰ অৱশ্যে কাৰণ নাই—কিন্তু বেচেৰীৰ মনৰ হেপাহ হাবিয়াহ মনতে গ'ল। সংসাৰত এটি চিন-চাব থৈ যাব পৰা হলে ভাল আছিল।" বৰাণীয়ে টপৰাই মাত দিলে—"এগঁৰাল গাহৰি পোৱালী থৈ নগ'ল—সভাই সমিতিয়ে এই গাহৰি পোৱালীবোৰৰ চী-চিঁয়নিত কেলেইনো ধীৰে সুস্থিৰে এষাৰ বক্তৃতা শুনিব পাৰি।" শইকীয়ানীৰ মাহীয়েক সাতজনী অবিয়ৈ গাভৰুৰ মাক ৰাজখোৱানীয়ে নতুনকৈ অনা কলিকতীয়া ব্ৰেচলেটে শোভা কৰা হাত জোকাৰি জোকাৰি কলে—"মূৰ থাকিলেহে মূৰৰ কামোৰ হব। লৰাছোৱালী নোহোৱা বাঁজীহতে লৰাছোৱালীৰ "কদৰ" বুজিব কি? সিহঁতৰ মনত লৰাছোৱালী দাঁতৰ শাল, চকুৰ কুটা। ৰাজখোৱাৰ লগত মাটিৰ সীমা লৈ আজি ভালে দিনৰ পৰা মহাপেচৰ তলে তলে কাজিয়া চলি আহিছিল। তাতে সমন্ধত মহাপেচ বৰাণীৰ জেঠালেক। মহাপেচৰ পত্নীয়ে বৰাণীৰ পক্ষলৈ সাতভৰি সোণৰ নেক্‌লেচে চিক্‌মিকোৱা ডিঙিটো বেকা কৰি মুখ বিকটাই কলে—"বুঢ়া-থেৰাৰ ভৰিত দীঘল দি দি পৰি ভাল সুখ ছোৱালীৰ মাক বাপেকহঁতে পাইছে। এতিয়া পেচকাৰৰ ভৰিৰ ছাল নিছিঙিলেই হয়।" বুঢ়ামুঈ, ধাদহী, ভোকোহাগালীহঁতক সামৰেই বা কোনে দেখিম।" সভাত গিজগিজনি উঠিল। গতি-গোত্ৰ বিষম দেখি বুঢ়ী বৰুৱানীয়ে কলে—"লবা, লবা, আদি আমাল বেদালল দিন। কাদিয়া পেঁঠাল নকৰিবাহঁক। অসাল সংসালত সকলো মিথা আই সকল। ৰেণুকালৈ ঠালে সংসালত কামেই নাই।"

আই সকলৰ গিজগিজনি, লৰাছোৱালীৰ চিঞৰ-বাখৰ, কেলকেলনি, পেলপেলনিৰ মাজেদি সমিতিত শোকৰ প্ৰস্তাৱ গৃহীত হৈ গ'ল।

ঘৈণীয়েই ঘৰ—

—"বোপা আছানে? পেচকাৰ বোপা?"—

"কোন? খুৰা। আহক, ভিতৰলৈ সোমাই আহক।"

"গৈছোঁ" বুলি কুহুৰ কুহুৰকৈ কাহি তিন তোলামান গেলা খেকাৰ উলিয়াই বুকুত হাত দি কৃষ্ণকান্ত কাকতী পেচকাৰৰ চ'ৰা ঘৰত সোমাল। কলে—"আয়স্, আয়স, এই দুদিনতে ঘৰ গুচি গোটেই বাঁহতল হ'ল, মোৰ আই লখিমী আছিল। আইৰ বেমাৰৰ বাতৰি লৱঙ্গৰ মুখে পাই আহোঁ আহোঁকৈও আহিব নোৱাৰিলোঁ। আপদীয়া বেমাৰটো আকৌ উকদি একেবাৰেই মোক এইবাৰ কাহিলকৈ পেলালে। অলপ ইফাল সিফাল কৰিলেই জীৱটোৱে হাওফাও কৰিবলৈ ধৰে। মোৰ আইকণে এই সিদিনা মাথোঁ পুৰণি ঘিউ অলপ দি আহিছিল তাকে বুকুত মালিছ কৰোঁতে কৰোঁতে কালিহে মাথোঁ অপল সকাহ পাইছোঁ। কাকতীৰ আকৌ কাহৰ জুমুৰি উঠিল। কাহৰ কোবত হাড়ৰ মাজত সোমাই থকা জীৱটোৱে উজনি ভাটি কৰিবলৈ ধৰিলে। মুখখন বিদৰাই বুকুত আকৌ তেওঁ হাত দিলে।

পেচকাৰে চকি এখনি আগ বঢ়াই দি কলে "বহক, খুৰা।" "কি বহিম! বেজাৰেই মোক খুলি খুলি খালে—বুজিছা বোপা, শুনিবৰে পৰা মোৰ পেটলৈ এটুপি পানী যোৱা নাই। নিজৰ ছোৱালীতকৈও ৰেণুকালৈ হেপাহ মৰম মোৰ বেছি। গুৰুজনৰ প্ৰতি তাইৰ কি ভক্তি! আহি ওলালেহিয়েই বিধ্ বিধ্‌লগাই জা-জলপান নুখুৱাই নেৰিছিল দেহি! তুমি নাজানিব পৰা বোপা তাইৰ বাপেকে মোক নুসুধাকৈ এখোজো নিদিছিল। সিহঁতৰ ঘৰত কাৰোবাৰ দাঁতত ভাত এটা লাগিলেও মই খবৰ পাইছিলোঁ। ময়েই আগপাছ কৰি তাইক বহু আশা কৰি তোমালৈ দিয়াইছিলোঁ। সেইবোৰ কথালৈ মনত পৰিলে কলিজা ফাটি চিৰাচিৰ হয়। ক'ত তাইৰ লাহবিলাহ

চাবলৈ পাম ? অস্ অস্ ভাল ভুইকুৰা দি গলি আই !" আঁকৌ কাহত কাকতী হেন্দোনিবলৈ ধৰিলে।

কাকতী ডিবকৰ মানুহ। ছবকাৰী কামত নগাঁলৈ বহুলি হৈ নগাঁলৈ বৈ গ'ল। পেন্সন পোৱাই প্ৰায় কুৰি বছৰ পাৰ হৈ গৈছে। উদ্‌কাই বেমাৰত হাড়ছাল মাথো আছেগৈ। লৰঙ্গ ববদেউতাক। এওঁৰ ঘৰতে লৰঙ্গ আহি থকা এবছৰ এতিয়াও নো হয়।

"বেজাৰ নকবিব, মোৰ কপালত যি হব লগা আছিল হৈছে, খুবা।"

"মায়া মোহৰ জীৱ বোপা, পাহৰো কেনেকৈ ? তোমাৰ এই শুকান মুখখনিয়েই মোৰ চকুৰ আগৰ পৰা নুগুচা হ'ল। লৰঙ্গয়ো তোমাৰ কথাকে কৈ চাটিচুটি কৰিব লাগিছে। তাইৰ হিয়াখন নিচেই কোমল। পৰৰ দুখ দেখিলে ..।"

পেচকাৰৰ হিয়াৰ কোনোবা এডাল তাঁৰ অজ্ঞাতে কঁপি উঠিল।

"পিছে বোপা...আইকণৰ সকামলৈ আয়োজনৰ বিষয়ে মোৰ লগত পৰামৰ্শ কৰিবলৈ সন্ধোচ নকৰিবা। মোক তোমাৰ ঘৰলৈ এজন বুলি ধৰিবা। মোৰ মনেৰে এই ঘোৰ বাৰিষা শুকান জলপানৰ ব্যৱস্থা কৰাই ভাল হব। দৈ-চৈৰ হেজাম এৰি দিয়া...।"

মুখৰ লোভ সামৰিব নোৱাৰি এবাটি দৈ খোৱাত এইবাৰ কাকতীৰ বেমাৰটো আকৌ উক দিছিল।

অলপ পৰ টলকা মাৰি বুকুত ফ্লানেল কাপোৰৰ মেৰটো আকৌ টানি বান্ধি কাকতীয়ে কলে—বোপা, মই উঠোঁহে। তুমি মন মাৰি নাথাকিবা। গধূলি নিতৌ এবাৰ আমাৰ ফালে পাকমাৰি আহিবাগৈচোন। সঙ্গীতেই শোক বেজাৰৰ মহৌষধি। লৰঙ্গ ছোৱালীৰ লগৰ ছোৱালী বোপা,—গানে বাজনাই, কামে-কাজে কথাই-বতৃতাই, এনে ছোৱালী এই অঞ্চলত নাই। তোমাৰ এই বেজাৰৰ সময়ত তেওঁৰ মাজে সময়ে দুটা এটা গান-টান শুনিলে মনটোও অলপ ভালে থাকিব। শোক-বেজাৰত, বিপদ-আপদত দৈর্ঘ্যহীহে আচল বোপা। একেবাৰেই গা পেলাই নিদিবা। পিছে বোপা লৰঙ্গৰ মুখে তোমাৰ হাততে এজন বঙালী কবিৰাজ আছে বুলি শুনিছিলোঁ। কিজানি বড়ি-টৰি এটা গিলি অলপ বাক পালেহেঁতেন। মই এতিয়া উঠোঁহে।"

"ভাল খুবা, এই বিপদত আপোনালোকেই বুদি পৰামৰ্শ নিদিলেনো দিব কোনে ? মোৰ আৰু আছেইবা কোন ?"

চুগুজমান গৈ কাকতী আকৌ ঘুৰিল। ছিঃ-ছিঃ ছাঃ-ছাঃ কৰি কলে "বয়স পৰাৰ লগে লগে মনতো কমা নোৱোৱা হ'ল বোপা। যি কথা কৰলৈ আহিছিলোঁ পাহৰিয়েই গৈছিলোঁ। কিবা চবখোৱা মন। বেজাৰে বেমাৰে মোক ফুকলা কৰিলে। বৌদেৱে কি কৰিছে বোপা ? অলপ লগ পোৱা হলে ভাল আছিল।"

"আপুনি বহক। মই আইক কণ্ঠৰৈ।"

অলপ পিছতে পেচকাৰৰ মাক আহি বেৰৰ সিফালে থিয়দি স্থবিলে "মোক মতাইছিল বোলে। বোধাৰীয়ে বৰ বেজাৰ দি গ'ল। কথা বিধাতাই তাইৰ সলনি মোক নিবলৈ নেদেখিলে। ন'বাৰ মুখলৈ চালেই মোৰ আমঠু ক'লা পৰি আছে ;—"

"বেজাৰ নকৰিব, সতী তিবোতাই সকলোকে কম্বুৱাই যৈ গ'ল।"...

"কিন্তু বুঢ়া বয়সত কি লেঠাতেই তাই মোক পেলাই যৈ গ'ল। ভাবিছিলোঁ জীৱনৰ আবেলি বেলিকা শুশুজনৰ নাম শুণ লৈ কটাওঁ। কিন্তু আকৌ সংসাৰ ভাৰী পাকত পৰিলোঁ। কি মায়া দেখুৱাইছা মোৰ মায়াবী প্ৰভু !"

কাকতীয়ে কলে—"শুনক, আজি বাতিপুৱা ধল-পোহৰ দিবৰ সময়ত আইকণে স্বপ্নত মোক দেখা দি কলে—'খুবা, আপোনাৰ কথা আমে পেলাব নোৱাৰোঁ। মই আহিবৰে পৰা মনত শান্তি পোৱা নাই। গিৰিহঁতৰ আৰু আইৰ দুখ-দুৰ্গতি দেখিলে মোৰ আত্মাও মুক্ত নহয়। বৰ আশা কৰি ঘৰ সংসাৰ কৰিছিলোঁ—ঈশ্বৰে গোটাইছিলেগৈ—বিধিয়ে আশা পুৰ নকৰিলে। মোৰ সেই আশাৰ ঘৰ বাঁহতল হৈছে। আইকেই বা এতিয়া কোন শুশ্রূষা কৰে কোনে ? আপুনিয়েই লাগি ভাগি আমাৰ সংসাৰখন পাতিছিল।...এতিয়াও যাতে ঘৰখন ঘৰ হৈ

বয় তাৰ এটা সোনকালেই উপায় বিধক। আইকো মোৰ লেৰা জনাই মোৰ মনৰ কথা কৰ।"

ভিতৰৰ পৰা কাকতীৰ বৌৱেকে নাকৰ আক চকুৰ পানী বিহাৰ আচলেৰে মচি মচি কলে—"মহো বোপাক কালিৰে পৰা তাকেই কৈ আহিছোঁ।—ময়েই বা আক কেইদিন জীয়াই থাকি তাৰ ঘৰ চম্ভালিম ? এইকেন বৰ্ষাৰ হাউলিৰ দৰে ঘৰ-দুৱাৰে লৰাছোৱালীৰ অভাৱত খাঁ খাঁ কৰিব লাগিছে। এখন্তেক থাকিবলৈ মন নাযায়। গোটেইখন উকঙা উকঙা। এইবাৰো বোপাৰ আপুনিয়েই এটা গতি লগাওক।"

"আপোনাসকল গুৰুজনৰ, স্বৰ্গীয়া আইকণৰ কথা মই পেলাওঁ কেনেকৈ ? বুঢ়াৰ গাতেই সকলো লেঠা। ভালবাক, চেষ্টা কৰি চাওঁ।" যাবৰ সময়ত কাকতীয়ে পেচকাৰক ভালকৈ বুজাই কৈ গ'ল—বৈণীয়েই ঘৰ।"

সপোন ভাঙিল—

পেচকাৰ সৃষ্টিধৰ এজন নামজলা এককথাৰ লোক। কামত সোমাবৰ দিনাই দৰমহাৰ পইছা ধৰচৰ কাৰণে দুখুঙ বুলি যি শপত খাইছিল তাক প্ৰাণপণে পালি আছিছে। দৰমহা পাঁচকুৰিৰ মাণৌ পাঁচ টকা কম—তাতে তেওঁৰ উপৰি চুপইছা পাওনাও আছে। নথি তল ওপৰ কৰি আক হাকিমৰ কাণে কাণে কৈ মামলা মোকৰ্দ্দমাত বাদী বিবাদীক হৰাব জিকাৰ পৰা ক্ষমতাও তেওঁৰ আছে বুলি উকীল মোক্তাৰ সকলে কয়। দৰমহাৰ টকা বয়মতো বৰ্দ্ধত জমি প্ৰায় পোন্ধৰটি হেজাৰবেই ওচৰ চাপিছে বুলিও দহজনে বুৰ-বাবা কৰে।

গতিকে এনেজন পুকুষৰ পত্নী বিয়োগৰ কথা যেতিয়া বাষ্ট্ৰ হৈ পৰিল তেতিয়া বিয়া দিব লগীয়া—গাভৰু ঝীয়ৰীয়ে পেটৰ ভোক, চকুৰ টোপনি হৰা বাপেকসকলে হেনি জোকৰ দৰেই তেওঁৰ ফাললৈ লী-লিয়াৰলৈ ধৰিলে। ধন আৰু ক্ষমতাই পেচকাৰৰ আয়ুসো কমাই দিলে। পেচকাৰৰ গোঁফ চুলিৰ সবহভাগ পকিছিল যদিও কোনোৱে কলে—"বায়ুপ্ৰধান ধাতুৰ লোক। মুখত লাৰুণি আক চুকত তেজ আছে। বয়স দেবকুবিৰ ওপৰ হবই নোৱাৰে।" কোনোজনে মন্তব্য প্ৰকাশ কৰিলে—"এবা, কেইদিনৰ ল'বা ? কেৱল ছাঁভিচৰ কাৰণে বয়স মাণৌ অলপ বঢ়াই দেখুৱাইছিল। বেজাৰেছে পেচকাৰক ফুকলা কৰি বুঢ়াৰ নিচিনা কৰিছে।" গম্ভীৰ ভূগ্ৰাৰ ডাঙৰজনী জীয়েকৰ বয়স কুবিবো ওপৰ। এতিয়াও বিয়া দিব পৰা নাই। তেওঁ আহি কলে—"হলেই বা দুকুৰি বছৰ ? ঘৰ ধৰিবপৰা অলপ বয়সীয়া চাই পেচকাৰ বোপাই এজনী বিয়া কৰিগেই হ'ল দেখোন ?" হলধৰ হাজৰিকাই বৈণীয়েকৰ পৰা এতিয়াও ছোৱালী বিয়া দিবৰ পুকুষৰ সাধ্য নহল বুলি এপেটকৈএঢাবুৰি গালি খাই আহি একে কোবেই পেচকাৰৰ ওচৰত হাজিৰ হৈ কলে—"কুকুৰ ধুলিহঁতে পেচকাৰ বোপাক অনেকে ছোৱালী যাচিছে বুলি কোৱা শুনি নাক কোঁচাইছে। পৰশ্ৰী কাতৰ সিহঁতক চুপাবডিড্ কৰি কামত সোমোৱা চবছৰৰ ভিতৰতেই পেচকাৰ কামত নিগাজী হোৱা দেখি সিহঁতৰ চকুত টোপনি আছেনে ? এই সেইদিনা সেই তোজীনবীছ পণ্ডীৰ ভূক্কানে কি সেই পাতে যি আষাবহে কলে—বোপাৰ হেনো এখন ভবি যমৰ দুৱাৰত। 'শুনিয়েই গা কিচকিচাই উঠিল। আৰে বাপু, জান কি ?—চাহাব-চুহাবে বিয়া কৰে কেতিয়া তাৰ খৰৰ বখাইছ ? এই আমাৰ বৰ চাহাবলৈকে নাচাৰ কিয় ? এই মাহত পঞ্চাশ পুৰ হ'ল—এতিয়াহে বিয়া কৰিবলৈ কুবংকাবাং কৰিছে। তেন্তে ? চাহাবৰ নেয়াটোহে অনুকৰণ কৰ—ভালটো নলয় কিয় হ' ? অনুপস্থিত তৌজীনবীছৰ প্ৰতি হাজৰিকাই হাতৰ মুঠি মাৰি পঠালে।

কিন্তু কোনেও পেচকাৰৰ মন খুবাব নোৱাৰিলে। ছোৱালী দিবলৈ হাবাথুৰি খাই ফুৰা সকলোটিকে একপ্ৰকাৰ নিবাশ কৰিছেই যেতিয়া পেচকাৰে পঠালে তেতিয়া মুখ বিদৰাই তেওঁলোকেই বটলে—"পেচকাৰৰ মবিবলৈ আক দুদিন আছে—এই বুঢ়াবয়সত আকৌ কি ভীমবতি উঠিছে বিয়া বিয়া কৰি পগলা ! থাকিলেই বা তাৰ ধন সোণ ? কোন বাপেক মাকে চকু থাকোঁতেই তাঁৰে ছোৱালী দি থালত পবিব হে ? দুজনীৰ মুৰ খোৱাই কোনটো লাজেবেনো—কোনটো কলিজাবেনো ছোৱালী বিচাৰে ?"

উপরাচি আহি ছোরালী যচা সকলক নিবাশ কবি শত্রুর সংখ্যা বঢ়োরাব অরশ্যে পেচকাবব এটা কাবণো আছিল। লরঙ্গক পোন প্রথম দেখাবে পবাই তেওঁব গান শুনিলেই পেচকাবব গা জমজমাই গৈছিল। তাতে বেণুকাক সমিতিলৈ পঠাবলৈ কবলৈ আহি যাবব সময়ত পেচকাবলৈ চাই লরঙ্গই যি কথাষাব কৈ গৈছিল—পেচকাবে তাক এক প্রকাব "প্রফেটক" বুলিয়েই ধবি লৈছিল। নহলেনো বুঢ়া কাকতীয়েই বা পেচকাবব ঘব পাতিবব দুনাই চেষ্টা কবি লরঙ্গব কথা ইমানকৈ তেওঁব আগত কব কিয়? তেওঁব বেঙ্গাৰত লরঙ্গই বা চাট-ফুট কবাব কথা উলিয়াব কিয়?—মহিলা সমিতিব প্রস্তাব? তুলা উবাদি উবিব! লরঙ্গবো তেওঁব প্রতি মন বোধ-কবোঁ বিরূপ নহয়? নহলেনো তেওঁব লগত সদায় গধুলা নানা তবহব কথা পাতি তেওঁক গান শুনাব কিয়? পেচকাবে মুখব সপোন দেখিলে।

কিন্তু বেচেবাব মুখব সপোন ভাঙিবলৈ বেছি দিন নালাগিল। সিদিনা কথাই কথাই লরঙ্গই পেচকাবক কৈ পেলালে—"বাইদেও বৈকুণ্ঠী হবব কেইদিন হৈছে গণিছেনে? এতিয়াও মাহেকীয়া নৌ যায়। শুনিছোঁ ইয়াব ভিতবতে আপুনি বিয়া পাতিবলে হামবাও কাচি মুবিছে। আপোনাব দবে নির্দয়, নিচুব, বোধকবোঁ কোনো নাই। বয়সতো আদহীয়া, আকৌ এজনী ছোৱালীক পুৰি থাবলৈ আপোনাব কি অধিকাব আছে?"

বুঢ়া কাকতীয়ে এনে সময়তে আহি—"এইবোব কি কথা লরঙ্গ?" বুলি মাত দিদিয়া হলে পেচকাবে বোধকবোঁ লরঙ্গব মুখব পবা আক তিতা মাত শুনিলেহেঁতেন। কাকতীব মুখ সেঁতা পবিল।

পেচকাবে বুকুত বেঙ্গাৰব বোজাবৈলে হা হুমুনিয়াহ কাচি ঘবলৈ উলটি বিছনাত পবিলগৈ। বাতি তেওঁব ভাল টোপনি নাহিল।

হনুমানব হুকুম—

পিছদিনা গধুলা পেচকাবে তেওঁব বন্ধু বিরূপাক্ষ বক্তবাব আগত নিজব দুখ-বেজাবব কথা বেকত কবি শোক পাতলাবব মনেবে ঘবত উপস্থিত হৈ মাত লগালে—"ভায়া আছানে?"

—"পেচকাব ভায়া, আহা, আহা, বহা। মনে তোমাব তালৈ যাম বুলি এই ওলাইছিলোঁহেই। এইবোব কি কথা শুনোঁ একা? পালা সেকাটো ভালকৈ?"

"ভুল হৈছিল ভায়া, ভাবিছিলোঁ..."

—"মুর্গ—ইমানদিন পেচকাবী কবি মিছাতেই হাড় পকালা দেখিছোঁ। বয়সব লগে লগে তোমাব পণ্ডিত্য লবিছে। নকৈছিলোঁ প'ত্তাবা বুলি! এতিয়া? নিজব এলেকা এবি উকলীকৃত হৈ ফুবিলেই অপমান ফুবিব লাগে, বুজিছা? লরঙ্গ লরঙ্গকৈ বলিয়া হৈ নিজব বে নাক কটালা আমাবো মানুহব আগত মুখ উলিয়াব নোৱাবা কবিলা। সেইবোব ইংবাজী জনা ছোৱালীব কাষ চাপিছিলা কিয়? গাত গা ঘহিবলৈ গৈছিলা কিয়?" ঘৃণা বিবক্তিত বক্তবাব কপালব গাঁঠি খুণ খালে।

অলপ পব মৌন হৈ বৈ বক্তবাই আকৌ মুখ মেলিলে "মাথি মবা, কলম পিছা কেবাণীব সাহটোও কম নহয়। জানিবই লাগিছিল ইংবাজী জনা, বক্তৃতা দিব পবা ছোৱালীব ওপবত বি-এ, এম-এ পাছ কবা হাকিম উকীলব বাহিবে কাবো এক্তিয়াব, অধিকাব নাই।"

—"লরঙ্গব মৌলৈ অলপ মবম ওপজিছিল যেন পাইছিলোঁ ভায়া।" "তুমি মিছাতে দুজনীব মুখ খালা। স্ত্রী চবিত্র হে, স্ত্রী চবিত্র! অৱশ্যে তোমাক ভুমি নোৱাবোঁ। কালিদাসব নাম কেতিয়াবা শুনিছিলা নাই ভায়াব সেইফালে টেকেলি কাটি, গোটেই গধুৰ হিয়া। বুকুত কুঠাব মাবিলেও কবিতাব "ক"টোও নোলাব যেন পাইছোঁ। প্রেমিক হবলৈ গলে মাজে সময়ে কবিতা-টবিতা পঢ়িব লাগে, বুজিছা। মাজেৰে পযেকে আমাব কবি বৰকাকতীব কাষ চাপিলেও হা দেখোন। অ, কি কৈছিলোঁ? কালিদাসব কথা? তেওঁ এজন কবি মানুহ। তেওঁ কি ভণি থৈ গৈছে তাব —স্ত্রীনাং চবিত্রম্ দেৱা ন জানন্তি কুতো মনুষ্যাঃ!" "তাতে বুঢ়া কাকতীয়েও"···

"সেই চৈতান পেচকেকণীয়া বুঢ়াব কথা মোব আগত তুলিয়াবাই। তোমাব পবা দুপইছা উলিয়াবব তালত আছে, বুজিছা? ঘুমুব বোগে থাই থাই তাব কলিজা নোহোৱা কবিলে। এতিয়াও ফন্দিতেই ফুবিছে।"

"উপায়?"—হতাশ হৈ পেচকাবে বক্তাব মুখলৈ চাই থুইলে।

"উপায় আক আছে কি? হাত মুব সাবটি বহি থাকা। ভাবিছিলোঁ, পেচকাবী মুবটোত অলপ ৰাঁ আছে, মিছা। গোটেই গোবোবেবে ভবা। লরঙ্গবৈ মন মেলি এই অক্ষলব ছোৱালীব বাপেকহঁতক একে আষাবেই তোমালোকব ছোৱালী বিয়া নকবাওঁ বুলি জবাব দিছিলা কিয়? দেখা নাইনে সিহঁতে কেনেকৈ কাউবীব দবে তোমাব বয়সলৈ আঙ্গুলিয়াই বমলিয়াবলৈ ধবিছে। ভয় কাউবীব বাঁহত জুই দিলা। যেহাই যেহাই কৈ যোৱা হলেই ভাল আছিল "চাওঁ বাক", "দুদিন বওক"; "আইক সোধোঁ"। এতিয়া মোব ওচবলৈ উপায় বিচাবি আহিছা? ইফালে ভায়াব পত্নীহা মুগটোও কম প্রবল নহয়, দেখিছোঁ। দহবছবতে দুজনী তিবোতাব মুব চোবালা। আকৌ এজনীব মুব থাবলৈ বা সতবাই দিছা দি স্ত্রী-বধ মহাপাপত পবোঁ কিয়?"

অভিমানত পেচকাবব মুখখন ওলমি পবিল। হুমুনিয়াহ কাচি কলে—"থ'ক দিয়া।"

—"আহা-হা, বেঙ্গাব কবা কিয়? ৰবা হনুমান চবিত্তখন আনোঁ।" ভিতবলৈ গৈ অলপ পিছতে বিরূপাক্ষই হনুমান চবিত আনি তাত এটা চক্র দেখুৱাই পেচকাবক কলে—"এই চক্রব ভিতবত অনেক সংখ্যা আছে। তুমি চকু মুদি আঙুলিবে এটাত ধবাচোন।"

পেচকাবে বিরূপাক্ষব আদেশ মতে চকু মুদিলে। মনতে ইষ্টদেৱতাক স্মবি চক্রব ভিতবত আঙুলি দিলে।

"ৰবা, কিহত ধবিলা? বিয়াল্লিশত? এয়া বিয়াল্লিশব ঘবত আছে।—"তুমি যাক বিচাবি উন্মত্ত তেওঁব আশা পবিত্যাগ কবা।" কেনে, মিলা নাইনে? সাধাবণ এতিয়াব পবা লরঙ্গব কথা যেন মুখত নোলায়। যাব তাব আজ্ঞা নহয়, পবম বৈষ্ণব ভক্ত হনুমানব হুকুম। বুজিছা?"

"এতিয়া দ্বিতীয় চক্রলৈ চোৱা। ইয়াত ধ্বজ, বজ্র, গজ, অঙ্কুশ, তিল, যব, ধান, আদিব চিত্র আছে। চকুমুদি যেই সেই এঠাত ধবা।"

"কি ধবিলা? গজ? তাব ফল কি লিখিছে শুনা—'অচিবে তোমাব অভীষ্ট সিদ্ধি। জ্যোতিষীব ওচব চাপা।' মোব আক হনুমানব কথা যদি শুনা ভায়া, আজিয়েই নরগ্রহলৈ গৈ ভাল জ্যোতিষীব হতুৱাই হাতখন দেখুৱাগৈ। হাজাবো, হ'ক নক্ষত্রব লগত বিয়া বাকৰ যোগাযোগ আছে, বুজিছা। জ্যোতিষীয়ে গণনাত কি পায় কি উপদেশেইবা দিয়ে মোক জনাবাহি. তেতিয়া চাই-চিন্তি তোমাব আকৌ ঘবখন পাতিবব চেষ্টা কবি চাম। যোৱা ঈশ্বৰে কবিলে তিনিবাবে নিবাৰ কবিছে এৰিম।"

পেচকাবব মুখব পবাও ওলাল "ঠিক হাত গণনা কবাবই লাগিল।"

"দ্যূনে দ্রব্যং মুরতিসহিতম্"

পিছদিনা পুৱাতে পেচকাব নরগ্রহলৈ গৈ নবগ্রহব প্রধান জ্যোতিষীব ওচব চাপিল। পণ্ডিতে পবিচয় লৈ সুধিলে—"অহাব সকাম?" "দেৱেই ক'ক গণনা কবি —।"

জ্যোতিষীদেৱে ছিলঠ পেন্সিল লৈ গণনা কবি কলে—আহিছে আপুনি জীব বিষয়ক প্রশ্নব সমিচাব বিচাবি।"

"ঠিক ধবিছে প্রভু।"—এই বুলি পেচকাবে চোলাব বুকুজেপব পবা পাঁচটকি উলিয়াই দেওব সমুখত ভক্তিভাবে থলে। জ্যোতিষীয়ে বিত্তচুকুবোব নাকব পবা থহাই চুবিয়াব আগবে মচি মচি পেচকাবব মুখলৈ চাই কলে—"এই নরগ্রহতেই পিতৃ-পিতামহ সকলে জগন্মাতাব কল্যাণব কাবণে জ্যোতিষব সূক্ষ্ম তত্ব আলোচনা কবি গৈছিল। য'ক সেইবোব কথা। চাওঁ সোঁ হাতখন অলপ মেলি দিয়কচোন।"

আথেবেগে পেচকাবে হাত মেলি দি ভক্তিভাবে জ্যোতিষীব মুখলৈ চাই বল। জ্যোতিষীয়ে একাগ্র মনেবে

পেচকাৰৰ হাত চোৱাত লাগিল। জ্যোতিষীৰ মুখৰ চেহেৰাৰ পৰিবৰ্ত্তনৰ লগে লগে পেচকাৰৰ মুখৰ বৰণো সলনি হবলৈ ধৰিলে। দুখনমান তামোল খোৱাৰ পৰ চাই হাত এৰি দি জ্যোতিষীয়ে গহীনাই কলে—"জীৱ বিষয়ক বিশেষকৈ স্ত্ৰী বিষয়ক চিন্তাই আপোনাৰ শৰীৰৰ তেজ শুহিছে। আপোনাৰ পত্নীহা যোগটো অতি প্ৰৱল —পীড়াদায়ক।"

পেচকাৰৰ মুখ শুকাল।

"কিন্তু চন্দ্ৰ সপ্তমত তাতেই যি ভাৰসা।"

"তাৰ ফল কি প্ৰভু?"—ব্যাকুল ভাবে পেচকাৰে সুধিলে।

"শাস্ত্ৰত আছে—'দ্যূনে দ্ৰব্যং যুৱতি সহিতং'—অৰ্থাৎ চন্দ্ৰ সপ্তমত থাকিলে সালঙ্কাৰা স্ত্ৰী লাভ।"

—"অ্যাঁ—কি কলে 'দ্যূনে দ্ৰব্যং যুৱতি সহিতং'? সালঙ্কাৰা সুন্দৰী স্ত্ৰী লাভ?"—পেচকাৰৰ মুখত বিজুলী চমকিল। জ্যোতিষীৰ মুখতো হাঁহি ফুটিল। কলে—"ৰব বিতত নহব; অৱশ্যে সুন্দৰী বুলি শাস্ত্ৰত লিখা নাথাকিলেও এইটো স্বতঃসিদ্ধৰ দৰেই ধৰিব পাৰি যে যুৱতী মানেই সুন্দৰী। আপোনাৰ অৱশ্যে বৰ্ত্তমান শুক্ৰৰ অন্তৰ্দ্দশাৰ ফল অতীব শুভ—গণনাত পাইছোঁ—শু শ ১।১১।১০।০—অৰ্থাৎ তাৰ ফলত আপোনাৰ—"সুন্দৰীভিঃ সহ ক্ৰীড়া নগৰে শোভনে গৃহে। শত্ৰুনাশঃ সুহৃল্লাভো ভৃগোৰন্তৰ্গতে শনৌ।"—চাওঁ আকৌ হাত মেলক। এইয়া কনিষ্ঠাঙ্গুলিৰ নিম্নভাগত কিমান ৰেখা দেখিছে?"

সেপ ঢুকি পেচকাৰে কলে—'চাৰিটি প্ৰভু, চাৰিটি' "তাৰ ভিতৰত কোনটি বেছি পৰিস্ফুট?"

"তৃতীয় ৰেখাটি।"

"অৰ্থাৎ তাৰ মানে—আপোনাৰ তৃতীয় বিবাহেই বেছি উজ্জ্বল। কি কৈছে? দুজনী শেষ কৰি আহিছে? তেন্তে আপোনাৰ পথ পৰিষ্কাৰেই। চিন্তাৰ কাৰণ নাই। দুজনী শেষ নকৰিবই বা কিয়? পত্নীহা যোগ—তাতে আপোনাৰ গণটিও হ'ল ৰাক্ষস জাতীয়। আপোনাৰ কপালৰ লক্ষণৰ পৰাও এইটো ভালকৈ ধৰিব পাৰিছোঁ আগৰ দুগৰাকী আছিল ভিন্ন জাতীয় গণযুক্তা। অথ গণমিলনকথনং—

স্বজাতৌ পৰমা প্ৰীতিৰ্মধ্যমা দেৱ মানুষে।
দেৱাসুৰে বিৰোধশ্চ—মৃত্যুৰ্মানুষ ৰাক্ষসে।

"আপোনাৰ তৃতীয় বিবাহৰ শীঘ্ৰ সূচনাৰ সঙ্কেট পোৱা গৈছে।—কিন্তু"—জ্যোতিষীয়ে চকু মুদিলে।

—"ৰল কিয় দেও, কৈ পেলাওক।"—

"এইবাৰ যোটকাদি বিচাৰৰ অৰ্থাৎ বৰ্ণ, বশ্যকূট, তাৰাকূট আদিৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিব। আপোনাৰ আৰু কন্যাৰ ৰাশি যাতে এক হয়— গণো যাতে স্বজাতীয় হয় তালৈ বিশেষ দৃষ্টি দিব!—"

"ভাল দেও, কন্যা মিলিলেই দেওৰ ওচৰ আকৌ পামহি"—বুলি সাষ্টাঙ্গে প্ৰণিপাত জনাই পেচকাৰে লৰা-লৰিকৈ ৰেল ধৰিবৰ কাৰণে ষ্টেশ্যনলৈ খোজ ললে। যাওঁতে কামাখ্যাৰ পাহাৰ দেখি কামাখ্যা আইক মনোবাঞ্ছা পূৰ্ণ হলে এযোৰ ক'লা পাঠা দিবলৈকো মানস কৰিলে। ষ্টেশ্যনত নগদ তিনি পইছা দি অলপ আতৰ কিনি গোঁফত লগালে আৰু মাজে মাজে "দ্যূনে দ্ৰব্যং যুৱতি সহিতং।" "সুন্দৰীভিঃ সহ ক্ৰীড়া"—গাই আৰু তাৰ নানা অৰ্থ কৰি বিৰহী প্ৰাণক সন্তোষ দি ঘৰলৈ যাত্ৰা কৰিলে।

লাগে! ছোৱালী লাগে!!

ষ্টেশ্যনত নামিয়েই পোনছাটেই বিৰূপাক্ষ বৰুৱাৰ ঘৰলৈ গৈ পেচকাৰে মাত লগালে—"ভায়াহে, ওলাই আঁহা।"

বৰুৱাই ভিতৰত "বাতৰি" কাকতত "পাত্ৰী লাগে" বিজ্ঞাপনত চকু দি আছিল। পেচকাৰৰ মাত শুনি ওলাই আহি হাঁহি কলে—"তোমাৰ লক্ষ্মী লাভ সুনিশ্চিত। 'উদ্যোগিনং পুৰুষসিংহমুপৈতিলক্ষ্মীঃ'।—পিছে জ্যোতিষীক লগ পালা?"—

পেচকাৰে জ্যোতিষীৰ গণনাদিৰ প্ৰশংসা কৰি বিৰূপাক্ষৰ আগত সকলো বিবৰি কলে।

"এই বুঢ়া বয়সত তোমাৰ—সুন্দৰীভিঃ সহ ক্ৰীড়া! ভাগ্যৱান পুৰুষ।" দুয়োৰো মুখত হাঁহি ওলাল।

পেচকাৰে সন্তোষেৰে কলে—"ইয়াৰ এটা সোনকালে উপায় কৰা।"

চবুৰ চবুৰে মেওৱা ফলে বুজিছা, উদ্বাউল নহবা। কিন্তু তোমাৰ বিয়াৰ উপায় কৰিবলৈ গৈ যে মই ইফালে নিৰুপায়ত পৰিছোঁ তাৰ খবৰ ৰখাইছা। লৱঙ্গৰ লগ পাই আমাৰ গিৰিহঁতনীয়ে আজি হুকুম জাৰি কৰিছে তোমাৰ বিয়াত যিবিলাকে প্ৰত্যক্ষে বা পৰোক্ষে সহায় কৰিব সেই সকলোকে মহিলা সমিতিৰ মেম্বৰ সকলে বয়কট কৰিব বুলি। শুনিবৰে পৰা চিন্তাত বুকুৱে ধান বনাদি বানিব লাগিছে। তাৰ পৰিণাম কি ভীষণ ভাবি চোৱা।"—

"মইনো কাৰ পানীখোৱা পুখুৰীত বিহ ঢালিলোঁহে—ইয়াৰ সকলো তিৰোতাই যে বিয়াৰ নামে উজাৰ খাই উঠিছে?" বিৰক্তিত পেচকাৰৰ মুখ বিকৃত হ'ল।

"এতিয়াও বুজিব পৰা নাই? মানুহৰ গাৰ নোমেই শত্ৰু বুজিছা। তোমাৰ দাঁড়ি চুলিয়েই তোমাৰ কাল হৈছে ভায়া। চুলি ডাঢ়ি পকাই মৰাপাটৰ দৰে কৰিলা কিয়? উচাপ নাখাবা, শুনা, মই অৱশ্যে বন্ধুৰ প্ৰতি এই বিপদত বন্ধুৰ কৰ্ত্তব্য কৰি যাম—যি থাকে কপালত। তুমি যোৱাৰে পৰা বহু ভাবি-চিন্তি মনত আলচি এটা উপায় থিৰ কৰিছোঁ।"

আগ্ৰহেৰে পেচকাৰে বৰুৱাৰ মুখলৈ চাই ৰ'ল।—

"শুন,—ছোৱালীৰ কাৰণে সত্যবাদী কাকতত জাননী দিয়া য'ক। এই অঞ্চলত অইন নহলেও ইয়াৰ মহিলা সমিতিৰ প্ৰকোপতে তোমালৈ ছোৱালী পোৱা টান হব। বঙালী কাকত-পত্ৰতো এনে ধৰণৰ বিজ্ঞাপন হাজাৰ-বিজাৰ দেখিছোঁ। বহা শুভশ্য শীঘ্ৰম্। মই বিজ্ঞাপন লিখোঁৱেই। এইবাৰ তোমাৰ বিয়াখন নতুন ধৰণৰ হ'ক।"

বিৰূপাক্ষই বিজ্ঞাপন লিখি এতাই সৃষ্টিধৰক কলে—"শুনা—

লাগে! ছোৱালী লাগে!!

এজন সম্ভ্ৰান্ত সাত্বিক ৰাজকৰ্ম্মচাৰী কাশ্যপ গোত্ৰীয় কায়স্থ পাত্ৰৰ কাৰণে বিবাহযোগ্যা ছোৱালীৰ আৱশ্যক। সোনকালে তলত দিয়া ঠিকনালৈ সোঁৱৰণীৰ আচল নকল (True copy) পঠাওক। চিঠি পত্ৰ গোপনীয় কৰি ৰখা হব।

বি. বৰুৱা এছ্‌কোয়াৰ।
C/O. সম্পাদক, সত্যবাদী

মোৰ নামেৰেই দিওঁ বুজিছা। তোমাৰ নামেৰে দিলে কৰবাত লেঠাও লাগিব পাৰে। কেনে, মন খাইছে?"

"ভাল হৈছে, আকৌ এবাৰ পঢ়াচোন।"

বিৰূপাক্ষই আকৌ এবাৰ পঢ়িলে। পেচকাৰে মাত লগালে—"ভায়া, মোৰ...।"

"কোৱা, কোৱা"

"কৈছোঁ কি, বিবাহযোগ্যা শব্দটিৰ পাছত সুন্দৰী শব্দটো সুমাই দিলে বোধকৰোঁ বৰ বেয়া নহব।"

"হেঁ-হেঁ-সেঁ—সেইটো 'ৰিডাণ্ডেণ্ট'হে। বিয়া নকৰালৈকে এটাইবোৰ যুৱতীয়েই সুন্দৰী। বিয়াৰ দুদিনৰ পিছতহে কিন্তু সুন্দৰীসকলৰ আচল মূৰ্ত্তি চকুত পৰে, বুজিছা? বাৰু তুমি কৈছা যেতিয়া মোৰ আপত্তি একো নাই—'সুন্দৰী' সোমাওক।"

খাবৰ সময়ত পেচকাৰক কলে—"তুমি বৰ বাঢ়ৈটোকা বুলি সকলোৱে কয়। এতিয়া আৰু টকাৰ মুখলৈ চালে নহব। টকাতো গোটাইছা বহুতো। এতিয়া অলপ খৰচ কৰিবলৈ শিকা। টকাই বয়সো টুটাব পাৰে বুজিছা? আৰু দুমাহৰ 'এক্সটেনশ্যন' লোৱা। টকা খৰচ কৰি দিনে দিনে গোঁফ চুলিত কলপ সনাৰ ব্যৱস্থা কৰা। গালৰ গিৰিসঙ্কটবোৰ পুতিবৰ কাৰণে বৃহৎ ছাগলাদ্যঘৃত ব্যৱহাৰত ধৰা। মুখৰ কান্তি বঢ়াবৰ কাৰণে বটলে বটলে হেজ্‌লিন, মাৰ্কলাইজ্‌ড্‌ ৱক্স্‌ আদি ঘঁহিবহৈ কালিৰে পৰা আৰম্ভ কৰা। ডাকবঙলাত কলিকতীয়া ডেণ্টিষ্ট্‌ আহি আছেহিয়েই। সৰি পৰা আগদাঁত দুটাৰ ঠাইত সোণৰ দুটা বন্ধাই লোৱা।"

পিছদিনাই বিৰূপাক্ষই পাঁচোটি টকাৰে সত্যবাদীত প্ৰকাশ কৰিবৰ নিমিত্তে বিজ্ঞাপনখনি সম্পাদকৰ নামে পঠাই দিলে।

শ্রাদ্ধত বেদান্তসাব—

বেগুকাব শবাধব দিনা পুৱাতে বুঢ়া কাকতী হেন্দোলি হেন্দোলি কোনো মতে লাখুটি কোবাই পেচকাবৰ ঘৰত উপস্থিত হৈ কলে—"আহিব নোৱাৰিম বুলিয়েই ভাবিছিলোঁ—বোপা। মোৱা বাতি কাহত কেলেহিনা চকুৰ টিপ এটা মাবিলোঁ—শেহবাতি লৱঙ্গই আৰু তোমাব খুবীয়েবাই বুকুথন সেকি-পুতকি নিদিয়া হলে···," কথা শেষ নৌ হওঁতেই কাকতীব কাহব উজান উঠিল। কাকতীয়ে মুখখন বিকটাই বুকুত হাত দিলে।—

—"বহক সুবা, মই বৰ ব্যস্ত।"—

"নহবা কিয়? লৱঙ্গৰ কথা শুনি তুমি আমাৰ ঘৰলৈ মুখ নকবা হলা। বৰ বেজাবেৰে মই আৰু খুবীয়েবাই দিন নিয়াইছোঁ। পিছে তুমি ভুল বুজিছা, তোমালৈ তাইৰ মৰম আছেহে। মুখখন মাৰোঁ অলপ চোকা। অলপো লুক-ঘুক নাই। নহলেনো আজি পুৱাতে তাই কয়নে—"তেখেত অকলশবীয়া মানুহ, কিমান চকু দিব। আপুনি এতিয়াই য'ক। বাহিদেওৰ শবাধত বাইজ সোধাৰ ভাবটো আপুনিয়েই লৈ তেখেতক আজবাই দিয়কগৈ। তেখেতে যেন কাম-কাজ কবি কাতৰ নহয়, তালৈ চকু দিব। পিছে বোপা, বগণোন্না, লালমোহন পাস্তৰা আদি মিঠাইৰ কিমান অৰ্ডাব দিছিলা?—"

"দিছিলোঁ ত্রিশ সেবলেই। কিন্তু গাধীৰ পোন্না নগ'ল বুলি এসেবো যোগাব নোৱাৰিলে। সেই দেখি শাস্ত্র-সমস্ত্রকৈ কোনোমতে পিণ্ডটোকে দিবলৈ আগ বাঢ়িছোঁ।"

"আঃ, বুকুয়ে পিঠিয়ে আকৌ ঠাহ মাবি ধবিছে—তাতে কবিবাজে দিয়া বড়িটোও গিলিবলৈ পাহবি আহিলোঁ। মোৰ গাত দেখিছোঁ দেৱাই-পাতিয়ে একো ওণ নিদিয়া ছেছে। ঘৰৰ পবা এবাৰ পাকমাবি আহোঁগে" বুলি কাকতী নিবাশ মনেবে ঘৰলৈ ঘুবিল। বাটত ভট্টাচার্য্যক লগপাই কলে—"বাদ্ধকানি পেচকাবে কি শবাধ পাতিবহে? দৈবীয়েকৰ বেমাবত যি ভাল চিকিৎসা কবিলে তাক সকলোৱে জানে। ভাবিছিলোঁ, শবাধতে দুপইছা খবচ কবিব। আও, পইছা এটা খবচ কবিবলৈ পালে যেন সি মবিব পাবে। য'ক শবাধব আ-আয়োজন, যা-যোগাব কেনে চ'কগৈ।"···কাকতী আৰু শবাধলৈ নগ'ল।

লাহে লাহে পেচকাবৰ ঘৰত চিবস্তাদাব, ফয়চলা নবীছ, নাজীৰ আদি আমোলা মহবিসকল আৰু বৈদান্তবাগীশ, শ্রুতিকৰ, ভট্টাচার্য্য প্রমুখ্যে পণ্ডিত ব্রাহ্মণসকল থুপ খালেহি। পুৰুষ-প্রকৃতিৰ সম্বন্ধ আলোচনাব মাজত ওলাল হিন্দুৰ বর্ণাশ্রম কথা। বেদান্তবাগীশে গহীনাই কলে হিন্দুৰ বর্ণাশ্রম ধর্ম্মৰ তৰ অতি গভীৰ। কিন্তু বেদ-বেদান্তই কলিত গার্হস্থ্য আশ্রমকে সকলোতকৈ শ্রেষ্ঠ আসন দিছে। ভট্টাচার্য্যই টিকনি জোকাবি কিবা কবলৈ মুখ মেলোতেই ভেকাহি মাবি বেদান্তবাগীশে কলে "কোন টোলত পঢ়িছিলাহে? বহু মালাব ছপিত্তি পঢ়িয়েই বেদান্তৰ সূক্ষ্ম তত্ত্বৰ বিষয়ে আলোচনা কবিবলৈ সাহ কবা দেখোঁ।" ভট্টাচার্য্যৰ থতত কঁপনি উঠিল। তাব পিছত চিবন্তাদাবৰ ফালে চাই কলে "শুনব ডাঙ্গবীয়া, বিশেষণ কবিলে পাব গৃহস্থ নহলে গার্হস্থা-শ্রমত মাহঞ্চে কোনেও সম্যক উপলব্ধি কবিব নোৱাবে। যি গৃহত থাকে অর্থাৎ যাব ঘৰ আছে তেৱেঁই গৃহী বা গৃহস্থ। গৃহ মানে ইয়াত গৃহিণী বুজিব লাগিব। স্বয় প্রজাপতি ব্রহ্মাব মুখব পবা যি বাক্য ওলাইছিল, অৱধান কবক—'গৃহিণী গৃহমুচ্যতে'। গতিকে এই গৃহিণীকে আশ্রয় কবি যি সকলে নিষ্লিপ্ত ভাবে, নিষ্কাম ভাবে সংসাবত প্রবর্ত্তিব পাবিছে তেৱেঁই মোক্ষ লাভ অধিকাবী।"

কৰুণাকান্ত কাছাবীবে এজন ডেকা কেবাণী। কটন কলেজতো হবছক্ষ পা দেহাইছিল। বৈদান্তিকৰ ব্যাখ্যাত হাঁহি সামবিব নোৱাবি কৈ উঠিল—"সেই দেখিছে, অর্থাৎ মোক্ষলাভত ব্যাঘাত ঘটে বুলি বোধকবোঁ বৃদ্ধসকলে গৃহিণীশূণ্য হৈ থাকিব নোৱাবে। ইফালে মুখত গাব—'সংসাব অসাব'—'কা তব কান্তা কস্তে পুত্রঃ'।—আৰু চিবস্তাদাবে ককণাৰ ফালে নোচোৱা হলে তেওঁৰ মুখত আৰু কি ওলালহেঁতেন কব নোৱাবোঁ। ফয়চলা নবীছে দাঁড়ি খামোচি গহীনাই কলে—"অন্নবিন্না ভয়ন্ধবাহে। কলেজীয়া বিদ্যাই বেদবেদান্তৰ তত্ত্ব ঢুকি নাপায়।"

ভট্টাচার্য্য দুর্ব্বাসা-প্রকৃতিৰ লোক। বেদান্তবাগীশৰ কথাত লাজ আৰু অপমান পাই খোহ-মোহ্ হৈ আছিল। এনেতে এবাহ ল'বাই ওচবত থোৱা বটাৰ পবা চুণ নোলোৱাকৈ তামোল পাণ নি মুখত ভবাই তেওঁক কপি থকা দেখি ফিচিঙা-ফিচিচিঙি কবিছিল। "এই চাওলাবোবৰ মুখ চাব নাপায়" বুলি গবজি ভট্টাচার্য্যই টকনি কাঁপাবলৈ ধবিলে।

ভট্টাচার্য্যৰ মূর্ত্তি দেখি ল'বাবোৰ উচাপ্ খাই উঠিল আৰু ইটোৱে সিটোৰ মুখলৈ চাবলৈ ধবিলে।

"এই চাওলাবোৰ ' ইয়াত থকালৈকে আমি জল ট্রেপিও গ্রহণ কবিব নোৱাবোঁ। শ্রুতি আৰু স্মৃতিৰ ওপবতেই সনাতন হিন্দু ধর্ম্মৰ মন্দিব প্রতিষ্ঠা। সেই স্মৃতিকে কি পাইছে শুনক—

বিনা চূর্ণং মুখে দত্বা ওৱাকং ভক্ষয়েৎ যদি।
তাবৎ ভবতি চাণ্ডালং যাবৎ গঙ্গাং ন গচ্ছতি॥

থ'ক এতিয়া ইইতৰ লগত বেদান্তবাগীশইতে।"—ভট্টাচার্য্য আসনৰ পবা উঠি বেদান্তবাগীশৰ ফালে চাই আকৌ বহিল।

সবাবোবে খোৱাৰ আশা এৰি পলাইছে সেই যাত্রাত বক্ষা পবিল। চিবন্তাদাবে ভট্টাচার্য্যৰ ধৰ মাৰ নিয়াৰব কাৰণে পেচকাবৰ ভতিজাক ভুবৰক এচিলিম ধপাত আনি দিবলৈ কলে। অলপ পিছতে ভুবৰে ভিতবৰ পবা এচিলিম ধপাত লগাই বাটতে কোনেও নেদেখাকৈ দীঘলীয়া হোপা মাবি চিলিমটো ভট্টাচার্য্যৰ হাতত দিলেহি। ভট্টাচার্য্যই কলাপাতৰ ঠোলাত চিলিম সুমাই হোপা মাবি মুখ বিদবাই ভুবৰলৈ পোন্নোৱা-পুন্দিকৈ চাই কলে—"একেবাবেই পুবি ছাঁই কবি আনিছে। ওঠ চেপিলে পিয়াহ ওলোৱা এই কুকলীয়া ল'বাবোবৰ ধপাতৰ ছাট দেখিলে গাৰ নোম শিওঁবি উঠে। ইইতৰ কলিজা ধপাতৰ ছাটত তুর্ত্ত্বীয়া মাবি ক'লা পবিল—।"

বিকপাক্ষই ভট্টাচার্য্যৰ আকৌ থং উঠা দেখি আৰু ভুবৰক সেমেনা-সেমেনি কবা দেখি হাঁহি হাঁহি কলে—"দেও ভুবৰব মোক্ষ লাভৰ পথত বাধা নজন্মাব। দহোকুবি একা। আপোনাব কস্কিপুবাণ নে ধটাঙ্গ পুবাণে কি কৈছে শুনকচোন—

তাম্রকূটং মহত্তত্ত্বং তত্ত্বসাবং কলৌ তথা।
তত্ত্ব টানে টানে নবো স্বর্গগামী ভবেৎ ধ্রুবং॥

সকলোবে মাজত হাঁহিব থলকনি উঠিল। ভট্টাচার্য্যব মুখতো এটা আধামবা মিচিকিয়া হাঁহি বিবিঙিল।

সৃষ্টিতাৰিণী বাছনিত উঠিল—

"ভায়াহে, পেচকাব ভায়া, ওলাই আহা, ওলাই আহা।"

পেচকাব উঙাকু হৈ ঘৰৰ ভিতবৰ পবা ওলাই বিৰূপাক্ষৰ হাতত থকা কাকতৰ টোপোলাটোলৈ আগ্রহেবে চাই বল।

"কপাল ভায়া, তোমাব কপাল কম নহয়। এই ডাকত সত্যবাদীৰ সম্পাদকৰ পবা এই টোপোলা চিঠি-পত্র আৰু সোঁৱবণীৰ নকল হাতত পবিছেহি। অসম আইৰ বুকুত যে সবণী, সাধনী, সুবমা, সবমা, সবযূ, লতিকা, ললিতা, যূথিকা, বিনোদিনী, কাদম্বিনী, মালতী, মাধবী, মৃণ্ময়ালা, নলিনী, নীলিমা নামৰ বুবিয়ে বুবিয়ে ইমানবোৰ সুন্দবী কায়স্থ কন্যা অবিবাহিতা হৈ তোমালৈ বৈ আছিল ভাবিবই নোৱাবিছিলোঁ, ভায়া। সদিয়াবপবা ধুবুবীলৈকে কোনো এডোখৰ ঠাইৰ 'বিপ্রেজেন্টেটিভ' বাদ পবা নাই বুজিছা? কেই দিন ছেছে বিজ্ঞাপন দিয়া, ইয়াৰ ভিতবতেই একুৰি সাতখন সোঁৱবণী হাতত পবিলহিয়েই। আৰু বা কিমান আহি পবেহি তাক প্রভু প্রজাপতিয়েহে জানে। পোন্না, শ্রীশ্রীপ্রজাপতেঃ নমঃ।" পেচকাবৰ মুখখন আনন্দত উজ্জ্বল হৈ উঠিল। আগ্রহেবে সোঁৱবণীবোৰ আৰু ছোৱালীৰ ওণ বর্ণোৱা চিঠি-পত্র বোবৰ ফালে পেচকাবে একান্ত মনেবে চকু ফুবাবলৈ ধবিলে।

"এইবোৰ পঢ়ি কি পাব পাবাহে ভায়া। সকলোটিয়ে কণত তিগোত্তমা, ওণত গৌবী. ভাগ্যত লক্ষ্মী, বিদ্যাত সবস্বতী কবি দেখুৱাইছে। ইয়াৰ ভিতবৰ যেই সেই এগবাকী তোমাৰ মিলিলেই তুমি একেবাবেই

ছাহেনশ্যা বাদছাহ হৈ পৰিবা। পিছে শুনা—'বাই প্ৰচেছ্ অব্ এলিমিনেশ্যন্' কোন ভাগ্যৱতী ৰয় কোন বাদ পৰে দেখা য'ক। দিয়া সেইবোৰ মোৰ হাতলৈ দিয়া।"

অলপ পৰ কাকত বোৰলৈ চকু ফুৰাই বিৰূপাক্ষই কলে—"মই নকৈছিলোঁ ভায়া—ছোৱালীৰ মাক বা বাপেকে কেতিয়াও ছোৱালীৰ আচল বয়স নকয় বুলি। তাৰ প্ৰমাণ এয়া হাতে হাতে মিলিছে। আই ঐ দেহি, আমাৰ এই গম্ভীৰ ভূঞাই পাত্ৰ কোন বুজিব নোৱাৰি সেই ডাঙৰজনী ছোৱালীৰ সোৱঁৰণী পঠিয়াই বয়স কি দেখুৱাইছে চোৱাঁ। সেই ওফোন্দাগালী লুধুমীৰ বয়স মুঠতে এই বহাগত বোলে ষোলটি বছৰ পাৰ হৈছে। ভায়াৰ মনত থাকিব পায়—মই যিবাৰ প্ৰথম ছাৰ্ভিচত সোমাওঁ সেই বছৰতে তাইৰ জন্ম। এতিয়া মোৰ কাম কৰাই হৈ গ'ল কুৰি বছৰৰ ওপৰ। ভায়াক কেইবছৰীয়া লাগে?"—

মূৰ খজুৱাই হাঁহি। চকু মেলো নেমেলোকৈ পেচকাৰে কলে—"ষোল সোতৰ বছৰীয়া হলে বেয়া নহব বোধকৰোঁ। বয়সত অলপ বুজন হলে ঘৰো ধৰিব পাৰিব।"

"ভাল কৈছা, ইফালে তুমিও পিলিঙা ডেকাটো হৈ থকা নাই। মোৰ বোধেৰে ওঠৰ বছৰীয়া হলেও হানি নাই। বাৰু ত্ৰৈৰাশিক অঙ্ক কষাৰ নিয়ম-কাৰণ ভায়াৰ মনত আছেনে?"

"তুমিও ভাল। অঙ্কৰ কাৰণে অনি পণ্ডিতৰ সৌকাৰ কোবত বোম্বানলে তেজ বোৱাই যে হাই স্কুলৰ তৃতীয়-শ্ৰেণীতে 'ফুলষ্টপ' মাৰিলোঁ পাহৰিলা? এতিয়া পৰ্ব্বতত কাছ কণী বিচাৰিছা?"

"মোকো মস্কিলত পেলালা দিয়া। আনা কাগজ পেন্সিল। ভূঞাৰ জীয়েকৰ বয়স নিৰ্দ্ধাৰণৰ পৰাই সূত্ৰ উলিৱা হ'ক। যদি একৈশ বছৰ বয়সত ষোল বছৰ হয় তেন্তে ওঠৰ বছৰত কিমান হব? এই ষোল ওঠৰং হ'ল তোমাৰ দুশ অষ্টাশী। তাক একৈশৰে ভাগ কৰিলে একৈশ একে একৈশ। বাকী থাকিল সাত—নামি আহিল আঠ। আঠশত্তৰক একৈশেৰে ভাগ কৰিলে পাওঁ, তিনি, বাকী থাকে পোন্ধৰ। তেন্তে হ'ল প্ৰায় ছাৰে তেৰ—ধৰা চৈধ্য। এতিয়া যিবোৰ ছোৱালীৰ বয়স চৈধ্য বা তাৰ কম বুলি সোৱঁৰণীত দেখুৱাইছে সেই বোৰ সোৱঁৰণী বাহিৰ কৰা। অৱশ্যে এনেবোৰ সোৱঁৰণীত বেছি বিশ্বাস কৰিব নালাগে। তথাপিও।"

"চৈধ্য বছৰীয়াই টান পাব হবলা ভায়া। অৱশ্যে..." ভেকাহি মাৰি বিৰূপাক্ষই কলে—"কি জৰদ্গৱহে তুমি! সেই দেখিতো তোমাৰ মূৰত গোবৰ আছে বুলি কওঁ। এতিয়াও বুজিব পৰা নাই, এই এটাইবোৰ সোৱঁৰণীয়েই মিছা বয়স দেখুৱাইছে! চৈধ্য বছৰীয়া বুলি দেখুৱা আই দেওসকলৰ বয়স ওঠৰ, কুৰিৰ কম নহয় হে। ভূঞাৰ জীয়েকলৈকে নোচোৱা কিয়? ছোৱালীৰ বয়স আচলতে যিমানেই নহ'ক মাক বাপেকে অন্ততঃ পাঁচোটি দহোটি বছৰ কমাই কবই। সেই দেখিতো ত্ৰৈৰাশিক কষি মূৰ ঘোলা কৰিব লগাত পৰিছোঁ। লেখা, তেনে সোৱঁৰণী কেইখন হ'ল।"

"হ'ল তোমাৰ একৈশখন।"

"বুজিলোঁ। জ্যোতিষীয়ে তোমাক কি কৈছিল হে? আদ্যাক্ষৰ কি হলে ভাল বুলিছিল?"

"দন্ত্য 'স'।"

"তেন্তে সৰসী, সুশীলা, সৰমা আদি আইদেওহঁতৰ সোৱঁৰণীবোৰ পৃথক কৰা। কৰিলা? কিমান হ'ল? এঘাৰ? পঢ়া।"

সেই এঘাৰখন সোৱঁৰণী পঢ়ি পেচকাৰে মূৰে কপালে হাত দি বহি পৰিল।

"আকৌ হ'লকি তোমাৰ?"—আগ্ৰহেৰে বিৰূপাক্ষই পেচকাৰক সুধিলে।

এটা হিয়াঁভগা হুমুনিয়াহ পেলাই চকু ঢুলঢুলীয়াকৈ পেচকাৰে কলে—"সকলো মিছা হ'ল ভায়া। জ্যোতিষীয়ে দঢ়াই দঢ়াই কৈছিল ৰাক্ষস গণৰ ছোৱালী বিয়া কৰাবলৈ। ইয়াত দেখোঁ সেই গণৰ এজনীও নাই। এটাই বোৰেই প্ৰায় দেৱগণৰ।"

"ভাল এই গোমূৰ্খটো মোৰ ডিঙিত লাগিল। কোন মাক বাপেকে ছোৱালী ৰাক্ষস গণৰ বুলি তোমাক জনাব

হে? চোৱা নৰ গণৰ কেইগৰাকী আছে। নৰ গণৰ কন্যাসকলৰ এটাইবোৰেই তোমাৰ প্ৰকৃততে ৰাক্ষস গণৰ হব। সেই বিষয়ে নিশ্চিন্ত থাকা। দেৱ গণৰবোৰ আচলতে নৰ গণৰ বুজিছা? দিয়া দিয়া সেইবোৰ মোৰ হাতলৈ দিয়া।" সোৱঁৰণীবোৰ অলপ পৰ চাই বিৰূপাক্ষই কলে—"পাঁচগৰাকী নৰ গণৰ অৰ্থাৎ আচলতে ৰাক্ষস গণৰ কন্যা হাজিৰ হে। হেঁ-হেঁ-হেঁ—বিৰূপাক্ষৰ চকুত ধূলি মাৰে কোনেহে? এতিয়া এওঁলোকৰ বিষয়ে লিখা চিঠিবোৰ চালেই এওঁলোকৰ 'কোৱালিফেকেশ্যন্' ধৰা পৰিব। দেখিছোঁ চাৰিগৰাকী ইংৰাজী জনা—সভাই সমিতিয়ে বক্তৃতা দিব পৰা। ইংৰাজী জনা বক্তৃতা দিব পৰা আইদেওসকলৰ চৰণত ভায়াৰ সাতোটি সেৱা! কি বোলা? বুজিছাতো?"

"বুজিছোঁ ভায়া, তোমাৰ বুদ্ধিক তাৰিফ নকৰি নোৱাৰিলোঁ। পিছে বাকী ৰল কোন?"

"তোমাৰ শিৱসাগৰৰ সদানন্দ দত্তৰ একমাত্ৰ কন্যা শ্ৰীমতী সৃষ্টিতাৰিণী।"

"এঁ, কি কলা? একমাত্ৰ কন্যা সৃষ...!" সৃষ্টিধৰ জাপমাৰি উঠিল।

"স্থিৰো ভব, স্থিৰো ভব, উদ্বাউল নহবা। সেই দেখিহে কৈছোঁ ভায়াৰ কপালো এখন কপাল। পৰীক্ষাত সকলো ফেল মাৰি ৰলগৈ একমাত্ৰ কন্যা সৃষ্টিতাৰিণী। সম্পত্তিও নিশ্চয় আছে। বৰৰ নাম সৃষ্টিধৰ পাত্ৰী সৃষ্টিতাৰিণী! একেবাৰেই ৰাজযোটক হে ৰাজযোটক। নামৰ এনে মিল ক'ত শুনিছিলা? ধৰি লোৱা ভায়া একমাত্ৰ তোমাৰ কাৰণেই বিধাতাই সৃষ্টিতাৰিণীক সৃষ্টি কৰিছিল। জ্যোতিষীৰ কথা আখৰে আখৰে ফলিয়াব যেন পাইছোঁ। তেওঁ নকৈছিল 'দ্যূনে দ্ৰব্যং যুবতি সহিতং'? ঠিক। তাতে আকৌ অতি শীঘ্ৰে এই মাহতেই বিয়া দিবই বুলি দত্তই লিখিছে। "হনুমান চৰিত"ৰ বাণীও বিফলে নাযায়হে। সেইখন কি যেই সেই শাস্ত্ৰ? এতিয়া উঠোহে ভায়া। বেলি লাহ দিলে। গধূলাকৈ মোৰ ঘৰলৈ যাবা। দত্ত দেৱলৈ ভাবি চিন্তি চিঠি পত্ৰ লিখিব লাগিব। সৃষ্টি তাৰিণী অচিৰতে আহি তোমাক তৰাবহি।"

"বহা, বহা, অলপ মিষ্টান্ন মুখত দি যোৱা।"

খেলিমেলি—কুচপৰোৱা নাই

সৃষ্টিতাৰিণীৰ লগত পেচকাৰ সৃষ্টিধৰৰ বিয়াৰ সকলো বন্দোৱস্ত পকা হৈ গ'ল। সৃষ্টিধৰৰ বুকুত বিয়াৰ ঢোল বাজি উঠিল। বিয়ালৈ আৰু সাদিন মাথোঁ বাকী।

আবেলি সৃষ্টিধৰ প্ৰেছলৈ গৈ সোণালী আখৰেৰে ছপোৱা বিয়াৰ নিমন্ত্ৰণী পত্ৰবোৰ হাতত লৈ বিৰূপাক্ষৰ ওচৰত হাজিৰ হৈ হাঁহি হাঁহি কলে—"ভায়া আৰুতো বেছি দিন নাই। আহিল বিয়া, উৰুলি দিয়া। এইবোৰ নিমন্ত্ৰণী পত্ৰ। এই প্ৰেছৰ চাৰ্জ্জ কিন্তু বৰ বেছিহে।"

"বহা, বহা। ৰাতিপুৱাৰে পৰা তোমাৰ বিয়াৰ এষ্টিমেট আদি কৰোঁতেই মোৰ গৈছে। হিচাব কৰি চাইছোঁ কমপক্ষেও সাতশ টকা লাগিবহে।"

সাতশ টকাৰ কথা শুনি পেচকাৰৰ চকু থিৰ হ'ল মুখ শুকাল।

"এতিয়া পইছাৰ মুখলৈ চালে আৰু নহব ভায়া। তোমাৰ লাভ যে কিমান হব তাক পাহৰি নাযাবাচোন। ডাঙৰ মানুহৰ একেজনী জীয়াৰী। চাৰে-ঘাৰে, বয়ে-বস্তুয়ে তিনি চাৰি হাজাৰৰ সম্পত্তি সম্বহতে তোমাৰ হাতত পৰিবই। ইয়াৰ পৰা অন্ততঃ কুৰিজনমান লোক নগলে জানো ভাল দেখাব?"

"কুৰিজনমাননো নিবানে? ৰেলৰ ভাড়াই দেখো হাড় ভাঙ্গিব।"

"আলবৎ নিব লাগিব। বিদেশত বিয়া। আমিও যে পৰি মৰা নহওঁ তাকোতো দহজনক দেখুৱাব লাগিব? কাৰ্পণ্য নকৰিবা। জা-জলপানৰ এষ্টিমেটো কৰি ৰাখিছোঁ। শুনা।" এই বুলি জেপৰ পৰা এখনি কাগজ উলিয়াই পঢ়িবলৈ ধৰোঁতেই 'পেচকাৰ বোপাক বিচাৰি বিচাৰি হায়ৰাণ হৈ ফুৰিছোঁ' বুলি কাহত হেন্দোলি হেন্দোলি বুঢ়া কাকতী সোমাই বিৰূপাক্ষৰ ওচৰতে বুকুত হাত দি বহিল।

মেলা কাগজ জপাই পেচকাৰৰ মুখলৈ চাই বিৰূপাক্ষই কাকতীক সুধিলে "কি মন কৰি খুৰা?"

মুখখন আমোলাই বুঢ়া কাকতীয়ে বেজাৰেৰে কলে—"বৌৰ মুখে পেচকাৰ বোপা ইয়ালৈ অহা বুলি জানিব পাৰি সোমালোঁ। এৰা আমি এতিয়া পৰ হলোঁ। বোপাৰ কাৰণেই লৱঙ্গকো এক প্ৰকাৰে ইয়াৰ পৰা গালি-শপনি পাৰি খেদিয়েই পঠালোঁ,—কৰবাত বোপাৰ বিয়া বাৰুত বিঘিনি ঘটায় বুলি কিন্তু তথাপিও বোপাৰ পেটত আমি সোমাব নোৱাৰিলোঁ।"

একো বুজিব নোৱাৰি পেচকাৰে কাকতীৰ মুখলৈ চাই ৰল। অলপ পৰ মৌন হৈ কাকতীয়ে সেহাই সেহাই কবলৈ ধৰিলে—"মোৰ ওচৰত লুক-ধুকৰে বা কি কাৰণ আছিল? বোপাৰ ঘৰখন পাতিবলৈ তলে তলে মই কি কৰিছোঁ তাক নেদেখাজনে দেখিছে। য'ক, জানি সুখী হলোঁ, আমাৰেই সমন্ধীয়া ছোৱালী অকণীৰ লগত বোপাৰ বিয়া বুলি। সৃষ্টিতাৰিণী লৱঙ্গৰ মাহীয়েকৰ জীয়েক বোপা। ঘৰ ধৰিব পৰা বঢ়িয়া ছোৱালী। হ'ক হ'ক, আমাক বোপাই নজনালে নাই মৰাৰ আগতে যেন বোপাৰ ঘৰখন চাই-চিন্তি মৰিব পাৰোঁ।"

"কি কলে খুৰা? লৱঙ্গৰ মাহীয়েকৰ জীয়েক? লৱঙ্গ এতিয়া ক'ত?" পেচকাৰৰ বুকু আশঙ্কাত কঁপি উঠিল।

"এতিয়া বোধকৰোঁ ডিবৰুত। মাজতে শিৱসাগৰৰ পৰা তাইৰ এখন চিঠি বৰমাকে পাইছিল।"

"শিৱসাগৰৰ পৰা?" পেচকাৰৰ মাত থোকাথুকি হ'ল।

চতুৰ কাকতীয়ে পেচকাৰক লক্ষ্য কৰি সকলো কথা ততালিকে বুজি শান্তনা দি কলে—"মোক হে তুমি পৰ বুলি ভাবা বোপা। ভয় শঙ্কা নকৰিবা। লৱঙ্গৰ লগত তোমাৰ বিয়া নহৈ ভালেই হ'ল। এনেজনী কাৰো কাটিহা নসহা দেমাকী ছোৱালী আৰু নাই। তায়ো শিৱসাগৰলৈ ভাল মতলবেৰে যোৱা নাছিল যেন পাওঁ। জানাইতো শিৱসাগৰ মহিলা সমিতি স্ত্ৰী জাগৰণৰ 'হটবেড্' বুলি।"

পেচকাৰৰ অৱস্থা দেখি বিৰূপাক্ষৰ পুতৌ জন্মিল। ইফালে বুঢ়া কাকতীৰ লানি নিছিগা কথাতো অলপ খঙ উঠি কেটেৰা-জেঙেৰা মাৰি কলে—"খুৰাইনো এইবাৰ কি আপদীয়া কথা কবলৈ আহিছে?"

কুহৰ কুহৰ কৈ এবুৰিমান কাহ মাৰি বুকুত হাতদি কাকতীয়ে কলে—"তুমিতো মোক দেখিব নোৱাৰাই। মোৰ নাম শুনিলেই জাপ মাৰি উঠা বুলি মই জানোঁ। আমি আপদীয়া মানুহ। শিৱসাগৰৰ পৰা পোৱা চিঠিৰ বিষয়েহে পেচকাৰ বোপাক কবলৈ আহিছিলোঁ। বাৰু বহা।" থৰক্-বৰক্কৈ কাকতী যাবলৈ উঠিল।

শিৱসাগৰৰ চিঠিৰ কথা শুনি পেচকাৰৰ আগ্ৰহ বাঢ়িল। কলে—"বহক খুৰা, বহক। ভায়াৰ কথাত কাণ নিদিব। পাছে কি লিখিছে?" কাকতী আকৌ বহিল। কলে—"বিয়ালৈ এই বুঢ়াকো মাতি পঠাইছে। এই বেমাৰী শৰীৰেৰে যাৱেঁই বা কেনেকৈ? কালি মোৰ চুনৰিৰ কাম বন্ধ হবলৈ ধৰিছিলেই। চিঠি পাইহে বিয়াৰ কথা জানিব পাৰিছোঁ। হ'ক হ'ক শুভ কাম হৈ য'ক। ময়ো লিখি পঠাইছোঁ। সৃষ্টিতাৰিণীৰ কপাল ভাল বুলি। বোপাৰ দৰে দৰা কি যাৰে তাৰে ভাগ্যত মিলে? বুজিছা বোপা--বিয়াৰ দিনা ইয়াতো দুই এজন বন্ধু-বান্ধৱক, ব্ৰাহ্মণ-বৈষ্ণৱক হাত মুখ ধুৱা ভাল দেখোঁ।"

বিৰপাক্ষই পেচকাৰৰ ফালে চকু পিৰিকতিয়াই চাই হাঁহি হাঁহি কলে—"ভালেই হৈছে ভায়া। খুৰা আমাৰ ভাগ্যৰ গুণতহে ঠিক সময়তে ওলাইছেহি। এই বিয়াৰ এষ্টিমেট্ এটা কৰিছোঁ। খুৰা শুনকচোন।"

কাকতীয়ে আগ্ৰহেৰে মুখ মেলি শুনিবলৈ ধৰিলে।

"অন্ততঃ এশ জনমান শিৱসাগৰীয়া ভদ্ৰলোকো নিমন্ত্ৰণ কৰিব লাগিব। ইয়াৰ পৰাও কুৰিজনমান যাব। সেই দেখি মোটামুটিকৈ মোৰ মনেৰে দৈ দহ মোণ, ময়দা পাঁচ মোণ, ঘিউ এমোণ, আলু দুমোণ, বুট-ৰহৰ ডালি ডেৰমোণ, তেল পোন্ধৰসেৰ তিনিপোৱা, পিয়াজ তেৰ সেৰ, গৰম মছলা পোন্ধৰ ছটাক, লোণ তিনি সেৰ, হালধি জলকীয়া ধপাত বিড়ী আদি লাগিব। খোৱা চাউল পাঁচ মোণ মান লাগিব। কোমল চাউল উঠায়েই দিম বুলি ভাবিছোঁ।"

কাকতীয়ে বিৰূপাক্ষৰ কথা সমৰ্থন কৰি মূৰ দুপিয়াই

দুপিয়াই কলে।—"সজ হৈছে। কিন্তু দৈৰ মাত্ৰাটো বেছি হৈছে যেন পাওঁ।"

"ময়ো তাকেই কওঁ খুৰা। ভায়াই সৰুসুৰা এখন দোকানৰে ব্যৱস্থা কৰিছে। পাঁচ মোণ দৈ হলেই হব যেন পাওঁ। মায়ঙৰ হলীৰাম বৰ গুৱালক ধৰাত তেওঁ পাঁচ মোণ দৈ শিৱসাগৰত পহুছাই দিবলৈ গাত লৈছে। আমাৰ ইয়াৰ হুজুৰিমল আগৰৱালাৰ শিৱসাগৰতে আৰু এখন দোকান আছে। তেওঁক বিয়াত সহায় কৰিবলৈ অনুৰোধ কৰাত, দুমোণ ময়দা আৰু দহ সেৰ ঘিউ দিবলৈকো গাত লৈছে।"

"আ-হা-হা! নিদিবইবা কিয়? আমিও জানোঁ পৰা হলে লাউটো কচুটো নিদিলোহেঁতেন? হাত দীঘল মানুহ বোপা, হাত মেলিলেই পাবা।" কাকতীৰ বুক ঘুঁৰ ঘুঁৰাবলৈ ধৰিলে। অলপপৰ টভক মাৰি বিৰূপাক্ষৰ ফালে চাই কাকতীয়ে সুধিলে "পিছে বোপা, মিঠাই কেই মোণ ধৰিছা?"

"ভায়াৰ পানী নসৰকা হাত বুলি জানেই নহয় খুৰা। তথাপিও মোৰ মনেৰে ৰসগোল্লা পঁছিশ সেৰ, পান্তুৱা বা লালমোহন পঁছিশ সেৰ, মিহিদানা দহসেৰ, জেলাপি আধ মোণ লাগিব।—"

ৰসগোল্লা পান্তুৱাৰ নাম শুনি লুতপুতনিত বুঢ়া কাকতীৰ মুখত পানী ওলাল। কাপোৰৰ আঁচলেৰে মুখখন মচি কলে—"ইয়াতো বিয়াৰ দিনা অন্ততঃ এমোণ ৰসগোল্লা, পান্তুৱা লাগিব। বৌতো বিয়ালৈ যাবই। ময়েই দহজনক সেইদিনা ইয়াত সেৱা কৰাৰ ভাৰ ললোঁ। চিন্তা নকৰিবা।"

বিয়াৰ 'এষ্টিমেটৰ' আলোচনা চলি থকাতেই পেচকাৰৰ ভতিজাক ভূধৰে কন্দনামুৱা হৈ আহি পেচকাৰৰ হাতত এখনি খোলা চিঠি দি কলে—"শিৱসাগৰৰ পৰা আহিছে। বৰায়ে হুৰাওৰাওকৈ কান্দি কাটি অস্থিৰ হৈ পৰিছে।" চিঠিখনি হাতত লৈ সৃষ্টিধৰ কঁপিবলৈ ধৰিলে।

বিৰূপাক্ষই পেচকাৰৰ হাতৰ পৰা চিঠিখনি লৈ পঢ়িলে—

"ভদ্ৰলোকৰ দৰে আপুনি আমাক আগতে আপোনাৰ দুগৰাকী ভাৰ্য্যা বিয়োগ হোৱাৰ কথা আৰু আপোনাৰ বয়স ভাটি দিছে বুলি জনোৱা উচিত আছিল। বহুখিনি খৰচপত্ৰ কৰিলোঁ। আপুনি আন ঠাইত ছোৱালী চ'ক।"

বিৰূপাক্ষৰ হাতৰ পৰা চিঠি উফৰি পৰিল।

চিঠিৰ আখৰবোৰে শক্তিশেলৰ দৰেই পেচকাৰক হানি থকা-সৰকা কৰিলে। তাৰ তীব্ৰ বেদনাত পেচকাৰৰ মুখখন বিকৃত হৈ পৰিল। লাজ অপমান প্ৰতিহিংসাত ক্ষন্তেকলৈ তেওঁৰ চকুযোৰ জ্বলি উঠিল। আজোৰি আজোৰি মূৰৰ চুলি কোছাকোছে ছিঙি—"বাহী বিয়াৰ দিনাই যেন তাই লৱঙ্গ বাৰী হয়" বুলি শাও-শপনি দি বুঢ়া কাকতীৰ ফালে কেৰাহি কৈ চাই ৰল।

বুঢ়া কাকতীয়ে গতি বিষম দেখি ফালৰি কাটি লাখুটি কোবাই তেতিয়াই ঘৰলৈ খৰখোজ ধৰিলে।

বিৰূপাক্ষই পেচকাৰক প্ৰবোধ দি কলে "শিৱসাগৰীয়া মানুহৰ কথাই এনে। বাৰু, কুচপৰোৱা নাই তেনে ছোৱালী দেখাৰ মিলিবহে। চাই থাকা, যদি সাদিনৰ ভিতৰতে মই তোমাৰ বিয়া পাতিব নোৱাৰোঁ তেন্তে মোৰ নাম বিৰূপাক্ষই নহয়।"



প্রাচ্যৰ পুনৰুত্থান আৰু শ্যামৰ জাগৰণ

—শ্ৰীযুত হেম চন্দ্ৰ বৰুৱা বি-এল—

চাৰিশ বছৰৰ আগেয়ে য়ুৰোপৰ জাতিবিলাকৰ জাগৰণৰ সূচনা হয়। বিনেচাঁৰ (Renaissance) যুগত তেওঁলোকে নতুন জ্ঞানৰ, নতুন আবিষ্কাৰৰ সন্ধান পোৱাত তেওঁলোকৰ মন নৱ আশাত, নৱ উৎসাহত, নাচি উঠিছিল। উদ্দাম কৰ্ম্মশক্তিৰ উত্তেজনাত তেওঁলোকে দিগ্বিদিক্ হেকৰাই ভাঁপ নাৱত পাল তুলি অপৰিচিত সমুদ্ৰত অনাবিষ্কৃত তটৰ সন্ধানত ওলাইছিল। এই দিগ্বিজয়ৰ সময়ত প্ৰাচীন কালত সভ্যতা, সংস্কৃতি, আৰু গৰিমাত শীৰ্ষস্থান অধিকাৰ কৰা এছিয়া ভূখণ্ডৰ দেশবিলাক নিস্তেজ শক্তিহীন, আৰু পতনশীল হৈ পৰিছিল! মধ্যযুগত



শ্যামৰ পৌৰাণিক নাটকৰ অভিনয়ত ভাৰবীয়া সকলৰ নানান্ অঙ্গ-ভঙ্গী।

অনাত খোৱাক যোগাইছিল! সেই সময়ত প্ৰাচ্যৰ আকুল স্পৃহা আছিল যুক্তিৰে (reason) বুদ্ধিৰ প্ৰভাৱান্বিত কৰি নতুন আবিষ্কাৰ আহৰণ কৰা। কিন্তু বেছি দিন প্ৰাচ্যই এই সভ্যতা বজাই ৰাখিব নোৱাৰিলে। লাহে লাহে ই বুদ্ধি-বৃত্তিক আওকাণ কৰিবলৈ



বিশেষ ভঙ্গিমাত শ্যামৰ দুগৰ্কা অভিনেত্ৰী

শিকিলে, আৰু এয়েই প্ৰাচ্যৰ অধঃপতনৰ কাৰণ হ'ল। বিবেকবুদ্ধিক পৰিহাৰ কৰি স্বাধীন চিন্তাক জলাঞ্জলি দি এক ভয়াবহ পৰকালৰ মোহ সৃষ্টি কৰি প্ৰাচ্যই চাৰিটি ফালে মানসিক প্ৰাচীৰ নিৰ্ম্মাণ কৰি আপোন মনে সকলো বস্তু সজাই লৈ গতিশীল নিখিল সংসাৰৰ অস্তিত্ব পাহৰি মনে মনে ভাবিবলৈ লাগি গৈছিল যে পৃথিবীখন ভোগ বিলাসৰ নিমিত্তে নহয়, ঈশ্বৰে কেৱল মানুহক ৰোগ, শোক, দুখ, কষ্ট দি পৰীক্ষা চাবলৈ হে পৃথিবী সৃজন কৰিছে। দি এই জগতত বেছিকৈ কষ্ট ভোগ কৰে সিহে পৰ জগতত বেছিকৈ সুখ ভোগ কৰিবলৈ পায়। এনে সময়ত কোনোবা ছিদ্ৰ পথেদি পাশ্চাত্যৰ চিৰ অশান্ত মানৱ

প্ৰাচ্যই পৃথিবীৰ সভ্যতা আৰু 'কালচাৰক' (culture) জীয়াই ৰাখিছিল, আৰু প্ৰাচ্যৰ সাহিত্য, কলা, দৰ্শন, বিজ্ঞানৰ চৰ্চ্চা আৰু আবিষ্কাৰে য়ুৰোপত বিনেচাঁৰ যুগ

নৌত সোমাই সকলো ছাৰখাৰ কৰি দিলে। এই পৰ-ধ্যানৰ মোহ, বাস্তৱৰ প্ৰতি নিদাৰুণ উদাসীনতাই হ'ল প্ৰাচ্যৰ অধঃপতনৰ কাৰণ। প্ৰাচ্য যেতিয়া এই ধ্যানগ্ন, এই মোহজালত আৱদ্ধ, তেতিয়া Technical



শ্যাম দেশৰ এবিধ ভৰিৰে য়ুৰোৱা যন্ত্ৰৰ (paddle wheel) দ্বাৰা খাতৰৈ পৰা পানী তুলি খেতি পথাৰত পানী যোগোৱাৰ ব্যৱস্থা।

Civilisationত মতলীয়া য়ুৰোপৰ জাতিবিলাকে জাতীয়-তাৰ বিজয় পতাকা হাতত লৈ বিজয় শঙ্খ বজাই প্ৰাচ্যত ভৰি দিছিলহি। তাৰ ফলত প্ৰাচ্য আৰু পাশ্চাত্য সভ্যতাৰ সংঘৰ্ষ উপস্থিত হ'ল।

য়ুৰোপীয় সভ্যতাৰ স্বৰূপ কি? এই খিনিতে সেই বিষয়ে অলপ আভাস লোৱা যাওক। গ্ৰীক সভ্যতা, ৰোমান সভ্যতা, আৰু খৃষ্টধৰ্ম্ম, এই তিনিটাই মিলি বৰ্ত্তমান য়ুৰোপীয় বা পাশ্চাত্য সভ্যতাক গঢ়ি তুলিছে। গ্ৰীক জাতিয়ে বিজ্ঞানৰ ভেটি বান্ধি থৈ গৈছে। ৰোমান জাতিয়ে সমাজ ৰক্ষাৰ আৰু ৰাজ্য শাসনৰ নিয়ম বিধিবদ্ধ কৰি গৈছে। খ্ৰীষ্ট ধৰ্ম্মই গণতন্ত্ৰমূলক শাসনৰ ভেটি গছিছে। য়ুৰোপৰ নৱ ধৰ্ম্ম "ডিমোক্ৰেচিৰ" মূল, গ্ৰীক বা ৰোমান নহয়, নৱ বিজ্ঞানো নহয়। যি মনোভাৱৰ ওপৰত ডিমোক্ৰেচি (গণতন্ত্ৰ) প্ৰতিষ্ঠিত হৈছে, সেই মনোভাৱৰ স্ৰষ্টা হৈছে বিশুখ্ৰীষ্ট। মুঠৰ ওপৰত খ্ৰীষ্টধৰ্ম্মৰ idealism, গ্ৰীকৰ realism, আৰু ৰোমানৰ legalismৰ মিলনৰ ফলত

য়ুৰোপীয় সভ্যতাই বৰ্ত্তমান ৰূপ পাইছে। সভ্যতা বোলোতে প্ৰায় মানুহেই দৰ্শন, বিজ্ঞান, সাহিত্য আৰু 'আৰ্ট', হুযুজি বুজে অৰ্থ আৰু স্বাৰ্থ। কথাটো একেবাৰে মিছাও নহয়। কাৰণ এই দুই প্ৰবৃত্তি চৰিতাৰ্থ নহলে সমাজ কেতিয়াও চিৰস্থায়ী হব নোৱাৰে। এই হিচাবে য়ুৰোপৰ বৰ্ত্তমান material civilisation খাটি বস্তু। এনে ধৰণৰ সভ্যতা গঢ়াৰ বিদ্যা হিন্দুৰতো জনা নাছিলেই, গ্ৰীচৰো জনা নাছিল, ৰোমৰো জনা নাছিল। গ্ৰীক সভ্যতাৰ ভেটি আছিল দাস প্ৰথাৰ ওপৰত, আৰু ৰোমান সভ্যতাৰ ভেটি আছিল পৰৰ দেশ লুণ্ঠনৰ ওপৰত। কিন্তু ওপৰত উল্লেখ কৰা তিনিটা মূলময় একেলগ কৰি বিনেচাঁৰ যুগৰপৰা বৰ্ত্তমান য়ুৰোপে যি বিদ্যাৰ বলেৰে মানুহে অৰ্থ সৃষ্টি কৰিব পাৰে সেই বিদ্যা অৰ্জ্জন কৰিছে। সেই মহাবিদ্যাটো হৈছে বিজ্ঞান (science), আৰু এই বিদ্যাকেই য়ুৰোপীয় মনৰ চৰম পৰিণতি বুলিব পাৰি। এই বশীকৰণ বিদ্যাৰে প্ৰকৃতি দেৱীক য়ুৰোপীয় জাতিবিলাকে বশ কৰি পৃথিবীক গ্ৰাস কৰিবলৈ ওলাইছিল।

এইটো মনত ৰাখিব লাগিব যে Reformationৰ আগলৈকে য়ুৰোপৰ জাতিবিলাকো পৰজন্মৰ মোহত লালকাল হৈ পৰি আছিল। অন্ধ গতানুগতিকতাত, স্বাধীন



শ্যাম দেশৰ চহৰত শিকা পোৱা হাতীবিলাকে কাম কৰি লাগিছে।

চিন্তা আৰু বিজ্ঞান চৰ্চ্চাৰ প্ৰতি সন্দেহ আৰু বিদ্বেষভাবে, য়ুৰোপত বিৰাজ কৰিছিল। কিন্তু য়ুৰোপীয় সকলে

পৰলোক জয় কৰাৰ বাবে মধ্যযুগত যি আত্মশক্তি সঞ্চয় কৰিছিল তাক ইহলোক জয় কৰাৰ কামত লগাই কুসংস্কাৰ, অজ্ঞানতা প্ৰভৃতি আবৰ্জনাৰ পৰা মুক্ত হৈ বিজ্ঞানক আদৰিবলৈ শিকিলে। মধ্য যুগৰ য়ুৰোপীয় সভ্যতাও জ্ঞান-কৰ্ম্মহীন আছিল। কেৱল ভক্তিৰ ওপৰত কোনো সভ্যতা চিৰপ্ৰতিষ্ঠিত হব নোৱাৰে। ভাৰতৰ মনীষী সকলে কেৱল তপস্যা কৰি কৰি আৰু হৰিষ খাই ভাৰতীয় সভ্যতা গঢ়া নাছিল।

সেইবাবে য়ুৰোপে গ্ৰীক সাহিত্য আৰু ৰোমান ৰাজনীতিৰ সন্ধান পাওঁতেই মধ্য যুগৰ য়ুৰোপীয় সভ্যতাৰ অৱসান হ'ল। গ্ৰীকৰ জ্ঞান, ৰোমানৰ কৰ্ম্ম আৰু মধ্য-যুগৰ ভক্তি এই তিনিওটা লগলাগি য়ুৰোপৰ নতুন Technical civilisation সৃষ্টি কৰিলে।

এই নতুন মানুহবিলাকে প্ৰাচ্যত নতুন কাণ্ড কৰিবলৈ আহি প্ৰাচ্যক সমাধি অৱস্থাত পাইছিলহি। এই অৱস্থাত প্ৰাচ্যৰ বৃদ্ধিও নাছিল হ্ৰাসো নাছিল। মধ্যযুগত আৰববিলাক আছিল বিজ্ঞানৰ উপাসক। সেই সময়ত তেওঁলোকে মানৰ সভ্যতাক দিয়া দানো কম নাছিল। S. P. Scottএ কৈছে :—"Modern Science unquestionably owes everything to Arab genius" কিন্তু কালৰ প্ৰভাৱত এই জ্ঞান-স্পৃহা, আৰু বিচাৰ-বুদ্ধি পবিত্যাগ কৰি পৰৱালৈ মোহত আৰৱবিলাক



শ্যাম দেশত বনৰীয়া হাতী ধৰি আনি দলে দলে গধাবত শিক্ষা দিয়া হৈছে।

আৱদ্ধ হোৱাত আৰৱবিলাকৰ উন্নতিৰ বাটত হেঙাৰ পৰিল।

তুৰ্কীক য়ুৰোপৰ ৰোমাৰী মানুহ বুলি (sick man of Europe) য়ুৰোপৰ খৃষ্টীয় জাতিবিলাকে তাচ্ছীল্য কৰি



শ্যাম দেশৰ প্ৰকাণ্ড বৌদ্ধ মন্দিৰ। পুৰণি শিল্পকলাৰ উৎকৃষ্ট নিদৰ্শন বহুত ঘটুনটিবে ওপৰলৈ উঠা যায়।

মাতিছিল। কাৰণ তেতিয়া পাশ্চাত্যৰ মনত এনমতে ভয় উৎপাদন কৰা তুৰ্কীও পৰকালৰ মোহত, ইহকালক পৰকালৰ বাটঘৰচ গোটোৱাত একান্ত মনে লাগি গৈছিল আৰু উন্নতিৰ জয় যাত্ৰাৰ বাটত ক্ৰমাৎ পাছ পৰি গৈছিল।

অতীতত ভাৰতবাসী এটা জাতিৰ দৰে জাতি আছিল। তেতিয়া ভাৰতবাসীৰ যুদ্ধ, বাণিজ্য, শিল্প, দেশ-বিদেশলৈ অহাযোৱা, বিজাতীয়সকলৰ লগত বিবিধ বিষয়ৰ আদান-প্ৰদান, দিগ্বিজয়ী বল আৰু বিচিত্ৰ ঐশ্বৰ্য্য আছিল। কিন্তু পাশ্চাত্যৰ মানুহবিলাকে আহি ভাৰতক দেখিছিলহি, ইহকালৰ সকলোকে মায়া বুলি বিসৰ্জ্জন দি পৰকালত মুক্তি পোৱাৰ আশাত বসন নোহোৱা, ভূষণ নোহোৱা, পৃথিবীৰ ইতিহাসৰ আৰু ভূগোলৰ বৈতে সম্বন্ধ নোহোৱা, বিজ্ঞানক নেওচা, নখ-জটাধাৰী, জীৰ্ণ তপস্বীৰ বেশত। ভাৰতে তেতিয়া ইন্দ্ৰিয় জগতক পৰিহাৰ কৰি অতীন্দ্ৰিয় জগতৰ ফালে তীব্ৰ বেগে আগবাঢ়িছিল।

মানৰ সভ্যতাৰ আদি যুগত চীনে সভ্যতাৰ অতি গুৰু

খাগত আৰোহণ কৰিছিল। য়ুৰোপৰ নব সভ্যতাৰ বহতো সঁজুলি চীনে সেই যুগতে আবিষ্কাৰ কৰিছিল।



শ্যাম দেশৰ প্ৰধান ধৰ্ম্মগুৰু "মহা"

গোন প্ৰথমে পৃথিবীত বাৰুদি কাকতৰ প্ৰচলন, প্ৰেছৰ আৰু খাৰ-বাকৰৰ আবিষ্কাৰ হয় চীনত। সেই সময়ত য়ুৰোপত চীনৰ নাম আছিল "কেথে"। এই আবিষ্কাৰৰ সন্ধানে য়ুৰোপৰ বিনেচাঁৱ যুগ অনাত বিশেষ ভাবে সহায় কৰিছিল। এনেহেন চীনেও সেই সময়ত মৃৱত থামোচীয়া টকনি বাৰি, লোহাৰ জোতা পিন্ধাই সৰু কৰা টেবোতাৰ সৰু সৰু ভৰিৰ সৌন্দৰ্য্যত মুগ্ধহৈ কানি খাই চকু মুদি অৰ্দ্ধ অচেতনভাবে পৰি আছিল। এনে অৱস্থাত প্ৰাচ্য জয় কৰা, প্ৰাচ্যৰ বস্তুবাজি নিজ দেশলৈ কঢ়িয়া, য়ুৰোপীয় ৰবলৰ পক্ষে বৰ সহজ হৈ পৰিছিল।

কিন্তু প্ৰাচ্যৰ আকৌ গা জোকাৰি থিয় দিবৰ দিন আহিল। ভাগ্যচক্ৰৰ আকৌ পৰিবৰ্ত্তন ঘটিল। বিংশ শতাব্দী প্ৰাচ্যৰ পুনৰুত্থানৰ যুগ। চাৰিশ বছৰ ধৰি পাশ্চাত্যই প্ৰাচ্যৰ ওপৰত কৰা আধিপত্যৰ বিপক্ষে প্ৰাচ্যই মুৰ দাঙি উঠিছে। পাশ্চাত্যৰ এই আধিপত্যক ধৰ্ব্ব কৰিবলৈ তিনি ফালৰ পৰা আক্ৰমণ হৈছে। প্ৰথম আক্ৰমণ হৈছে পাশ্চাত্যৰ ৰাজনৈতিক শাসনৰ বিৰুদ্ধে, দ্বিতীয় আক্ৰমণ হৈছে পাশ্চাত্য "কালচাৰ" আৰু ধৰ্ম্মৰ বিৰুদ্ধে, তৃতীয় আক্ৰমণ হৈছে পাশ্চাত্যই প্ৰাচ্যৰ মানুহক সামাজিকভাবে নীচ বোলা মই বৰ ভাবৰ বিৰুদ্ধে। এই তৃতীয়টোৰ অৰ্থাৎ Social superiorityৰ বিপক্ষেই প্ৰাচ্যৰ অভিযান হৈছে বেছি, আৰু ইয়েই চীনৰ ছাত্ৰ আন্দোলনৰ মূল।

য়ুৰোপৰ লোকসকলে ভাবিছিল যে তেওঁলোকৰ জন্ম হৈছে প্ৰাচ্যৰ মানুহৰ ওপৰত ৰাজত্ব কৰিবলৈ, প্ৰভুত্ব চলাবলৈ, আৰু তেওঁলোকক সভ্যতাৰ বাটত আগবঢ়াবলৈ। তেওঁলোকৰ এই ধাৰণা বদ্ধমূল হোৱাৰ কাৰণ হৈছিল কৰ্ম্মশক্তি আৰু বৈজ্ঞানিক অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ আৰু ব্যৱহাৰ কৰাত প্ৰাচ্যৰ জাতিবিলাক সেই সময়ত তেওঁলোকৰ সমকক্ষ হব নোৱাৰাত।

কিন্তু তেওঁলোকে প্ৰাচ্যৰ জাতিবিলাকক দিয়া পাশ্চাত্য শিক্ষাই তেওঁলোকৰ কাল হ'ল। এই শিক্ষাত শিক্ষিত হৈ প্ৰাচ্যৰ জাতিবিলাকে য়ুৰোপৰ জাতিবিলাকৰ সমকক্ষ বুলি ভাবিবলৈ শিকিলে। এই শিক্ষাই এছিয়াৰ জাতিবিলাকৰ ভিতৰত প্ৰচণ্ড জাতীয়তাৰ ভাব মুমুৰাই দিলে। বিজ্ঞানো প্ৰাচ্যৰ কৰতলগত হ'ল। য়ুৰোপৰ



শ্যামৰ ৰাজ্যাভিষেক উৎসৱৰ এটি দৃশ্য

জাতিবিলাকে আচুতীয়াকৈ ইমান দিনে ব্যৱহাৰ কৰা বৈজ্ঞানিক অস্ত্ৰ-শস্ত্ৰ প্ৰাচ্যৰ জাতিবিলাকেও অনায়াসে

তৈয়াৰ আৰু ব্যৱহাৰ কৰিব পৰা হোৱাত, য়ুৰোপৰ জাতিবিলাকৰ প্ৰতি ইমান দিনে থকা ভয়ৰ ভাব লোপ পাই, প্ৰাচ্যৰ মনলৈ নতুন বল, নতুন উৎসাহ, নতুন উদ্দীপনা আহি নতুন জাতি গঠন কৰিবলৈ প্ৰেৰণা দিলে। য়ুৰোপীয় জাতিবিলাকৰ ভিতৰত মাটিৰ খকৰ (earth hunger) বাবে হোৱা খোৱা-কামোৰাইও প্ৰাচ্যক জাতিগঠন কৰাত সহায় কৰিছিল। এছিয়া আকৌ নবীন গৌৰৱত ঠন ধৰি উঠি সমস্ত বিশ্বক স্তম্ভিত কৰিছে। পাশ্চাত্যৰ শ্ৰেষ্ঠত্বৰ মোহ ৰুছ-জাপানৰ যুদ্ধইও কিছুপৰিমাণে ভাঙে। য়ুৰোপৰ বিজয় অভিযানে জাপানৰ হাতত পোন প্ৰথমতে ঠেকা খায়। এই যুদ্ধত জাপানীৰ শৌৰ্য্য বীৰ্য্য, ত্যাগ, দেশভক্তি, আৰু দেশৰ হকে প্ৰাণ বিসৰ্জ্জনে অকল জাপানীকে নহয়, গোটেই এছিয়াকে নতুন আশাত, নতুন উদ্দীপনাত স্পন্দিত কৰিছিল আৰু এতিয়াও আশাৰ বাণী দিব লাগিছে।

বৰ্ত্তমান যুগ হৈছে বুদ্ধিৰ যুগ, যুক্তিৰ যুগ। এই Rationalistic world culture ৰ আৰু য়ুৰোপীয় জাতিবিলাকৰ প্ৰগাঢ় জাতীয়তা বোধৰ আদৰ্শৰ সংস্পৰ্শত



শিক্ষা বিভাগৰ মন্ত্ৰীয়ে সাধাৰণ শিক্ষকৰ সাজ লৈ শিক্ষা বিষয়ৰ উপদেশ দিছে

তুৰস্ক, আৰব, ইজিপ্ট, পাৰস্য, চীন আদি প্ৰাচ্যৰ দেশ বিলাকত নৱ জাগৰণৰ বান আহিছে। যোৱা মহাযুদ্ধৰ পৰা তুৰস্ক, পাৰস্য আৰু চীনে উন্নত শক্তিৰূপে থিয় দিছে।

ভাৰত আৰু ভাৰতৰ উলঙ্গ ফকীৰৰ বিষয়ে আলোচনা নকৰি কেৱলমাত্ৰ চীনৰ জাতীয়তাই ভাৰতৰ জাতীয়তাক



১৯২০ চনত শ্যামৰ স্বৰ্গীয়া ৰাণীৰ শৱদাহৰ সময়ত ৰাজঅন্তঃপুৰবাসিনী মহিলা সকলৰ শোভা-যাত্ৰা।

কি ভাবে চাইছে তাৰহে সামান্য আভাস এটা দিয়া হ'ল। জাগ্ৰত চীনৰ তৰুণ পূজাৰী ডাক্তৰ হুছিয়ে (Dr, Hushih) কৈছে :—

"We have no interest in Mr Gandhi's spiritual reformation, but we will be glad to talk with him about how to eleminate white man's domination from Asia and humble his conceit," অৰ্থাৎ মহাত্মা গান্ধীৰ আধ্যাত্মিক সংস্কাৰত আমাৰ কোনো আগ্ৰহ নাই কিন্তু এছিয়াৰ পৰা বগা মানুহৰ প্ৰভুত্ব লোপ কৰা আৰু গৰ্ব্ব খৰ্ব্ব কৰা বিষয়ে তেখেতৰ লগত আলাপ কৰিবলৈ পালে অশেষ আনন্দ পাম। এই উক্তিয়ে দুটা 'কালচাৰৰ' বিভিন্নতাৰ সুস্পষ্ট ইঙ্গিত দিছে। চীনা সকলে অতীতৰ মোহ একেবাৰেই এৰি আধুনিকতাত এনে ভাবে গা এৰি দি ভাহি যাব লাগিছে যে তেওঁলোকে আধুনিক য়ুৰোপীয় জাতিতকৈও আধুনিক হৈ পৰিছে। তেওঁলোকে জীৱনক সম্পূৰ্ণ উপভোগ কৰিবলৈ শিকিছে। শ্যাংহাই কলেজৰ ছাত্ৰ এজনে কৈছিল :—"আমি পাশ্চাত্যৰ লোকতকৈও আধুনিক "(we are more modern than you

আৱাহন



শ্যাম দেশৰ এটি বন্দৰৰ দৃশ্য

জুয়েল অফ ইণ্ডিয়া প্ৰেসে মুদ্ৰিত।

westerners") আৰু এজনে কৈছিল :—"আমি যথার্থতে বৈজ্ঞানিক মনোভাৱ উপলব্ধি কৰিব পাৰিছোঁ। আমি এইটো আপোনালোকতকৈ সহজে কৰিব পাৰিছোঁ কেৱল মাত্ৰ আপোনালোকৰ দৰে ধার্ম্মিক নহওঁ বুলিয়েই।" চীনৰ বহুত ঠাইতে আমেৰিকাৰ জৰ্জ ৱাশিংটনৰ তিথি মহোৎসৱ মহা সমাৰোহেৰে জাতীয় উৎসৱ হিচাবে পালন কৰা হয়। চীনৰ, কি সাহিত্যিক, কি দার্শনিক, কি বৈজ্ঞানিক, কি ৰাজনীতিক, সকলোবে চিন্তাৰ খোৰাক যোগাইছে কলম্বিয়া বিশ্ববিদ্যালয়ৰ দর্শনৰ বর্ত্তমান অধ্যাপক ডাক্তৰ জন ডিৱেই। তেখেতৰ ভাব-ধাৰাত চীন আজি উন্মত্ত।

ডাক্তৰ ডিৱেয়ে কৈছে :—"We are thinking in terms of the greatest contribution to philosophical thought since Aristotle, which most of you Americans do not know is coming from your own country and age. It is the work of the pragmatic school, from William James to the greatest teacher of mankind to-day—Dr. John Dewey of Columbia University."

চীনে মহাত্মা গান্ধীক ডাক্তৰ ডিৱেৰ পাছত হে ঠাই দিছে। নব্য মন্ত্ৰত দীক্ষিত এই দেশ বিলাকে শিক্ষা, দীক্ষা, শাসন-প্রণালী আদি উন্নতিৰ সকলো আহিলাকে অতি আধুনিক নিয়মে গঢ়ি লৈছে। প্রাচীন বা মধ্যযুগৰ ৰীতি-নীতি, সংস্কাৰ আদি তেওঁলোকে নির্ম্মমভাবে জোকাৰি পেলাইছে, কাৰণ এই বিলাকেই সকলো দুৰৱস্থাৰ আৰু পতনৰ মূল। চীন, তুৰস্ক, শ্যাম আদি দেশে অতি আধুনিকতাক আদৰি লৈছে কেৱল মাত্ৰ এছিয়াত বগা মানুহৰ প্রভুত্বক বাধা দিবলৈ। কিন্তু এনেভাবে আধুনিক হোৱাৰ পৰা আশঙ্কা হয় যে পৰক অনুকৰণ কৰিবলৈ গৈ এই জাতি বিলাকে নিজৰ জাতীয়তা আৰু বিশিষ্টতা হেকৰাই অন্তঃসাৰ শূন্য হৈ কিম্ভূত-কিমাকাৰ জাতিত পৰিণত হব। কিন্তু তাৰ উত্তৰত কব পাৰি যে যি জাতিৰ যি অংশ সভ্য সেই অংশ অমৰ। সত্যৰ সন্ধান প্রথমতে যিয়েই পাওক লাগে, শেষত সেই সত্য সর্ব্বসাধাৰণৰ সম্পত্তি পৰিণত হয়। এটা সভ্যতাই আন এটা সভ্যতাক বিনাশ কৰিব নোৱাৰে। সভ্যতাৰ প্রধান শত্রু হৈছে অসভ্যতা। ৰোমান জাতি বিনষ্ট হ'ল সঁচা কিন্তু য়ুৰোপৰ সামান্য অসভ্য জাতিবোৰো মধ্যযুগত সভ্য হ'ল গ্রীক আৰু ৰোমান সভ্যতাৰ সাহায্যত। যদিও এই জাতিবিলাকে সকলোতে পাশ্চাত্যক অনুকৰণ কৰিছে তথাপিও পৰে হেঁচা মাৰি ধৰি তেওঁলোকৰ মাজত পৰব সভ্যতা সুমুৱাৰ তেওঁলোক ঘোৰ বিৰোধী, বৰং তাৰ



খেতিৰ শেষত শ্যামদেশত বছৰেকীয়া ফুলন উৎসৱ—শস্যাধিপতিৰ প্রতিনিধি হিচাপে বছাই এজন উচ্চবংশীয় মানুহক বাটি দিয়ে। তেওঁকেই দেৱতা বুলি ভাবে।



শ্যাম দেশৰ পদাতিক আৰু নৌ সেনা সকলে একেগৰে মিলি গণতন্ত্ৰৰ প্রতিষ্ঠাত সহায় কৰিছে। এই ছবিত সেই সকলে শ্যামৰ নতুনকৈ সজা দলং এখনৰ ওপৰেদি যাব লাগিছে।

বিপক্ষে থিয় হে দিছে। তেওঁলোকে নৱ জাতি গঠনৰ সমল বিশ্বৰ আন আন জাতিৰ পৰা আহৰণ কৰি নিজ জাতীয়তাৰ সাঁচত মাৰি সম্পূৰ্ণ নিজৰ কৰি লৈছে। সেই



শ্যাম দেশৰ চিপাহী সকলে দেশত তেজৰ নৈ নোবোৱাকৈয়ে নাইবা কামান বন্দুক ব্যৱহাৰ নকৰাকৈ দেশত শাসনতন্ত্ৰৰ পৰিবৰ্ত্তন সাধিলে।

কাৰণে আধুনিকতাই তেওঁলোকক পঙ্গু কৰক চাৰি সুন্দৰ সুঠাম, সৱল, জাতি গঠন কৰাত সহায়হে কৰিছে।

এই নৱ জাগৰণৰ পৰা ইমান দিনে বাদ পৰি আছিল



শ্যামবাসী এগৰাকীয়ে আধুনিক বেতাৰ যন্ত্ৰৰ সহায় লোৱা দেখা গৈছে।



শ্যামৰ ৰজাৰ জন্মোৎসৱ উপলক্ষে—



শ্যামৰ ৰাজবংশৰ এইসকল পৰিয়ালে 'পিপ্‌লচ পাৰ্টিক' সহায় কৰিছিল।

আফগনিস্থান আৰু শ্যাম। আফগনিস্থানে ইয়াৰ ভিতৰতে সাৰ পাইছে। কেৱল বাকী আছিল শ্যাম। এইবাৰ প্ৰাচ্যৰ নতুন জাতীয়তা আৰু নৱ জাগৰণৰ লগত সমানে খোজ মিলাই যোৱাৰ উদ্যোগ পৰ্ব্ব আৰম্ভ হ'ল শ্যামৰ। শ্যামৰ জাতীয় জাগৰণৰ এটি চমু বিৱৰণ দিয়েই এই প্ৰবন্ধ শেষ কৰা হব।

এছিয়াৰ এই পুনৰুত্থান দেখি কিছুদিনৰ আগেয়ে জাৰ্ম্মান বৈজ্ঞানিক ডাক্তৰ হাছে (Dr, Haas) কৈছিল :—Europe has reached a turning point in its history and that it must collect its forces for a decisive struggle against Asia or other important enemies—অৰ্থাৎ য়ুৰোপৰ ইতিহাসে এটা সঙ্কটজনক অৱস্থাত উপস্থিত হৈছেহি আৰু য়ুৰোপৰ সম্মিলিত শক্তিক এছিয়া বা আন ডাঙৰ শত্ৰুৰ লগত শেষ মিমাংসাৰ বাবে মজুত ৰখা দৰকাৰ হৈ পৰিল।" বৈজ্ঞানিকৰ এই কথাৰ পৰা বুজা যায় যে তেখেতৰ মতে য়ুৰোপীয় সকল প্ৰকৃতপক্ষে এক জাতি। এছিয়া বাসীৰো এক মন এক প্ৰাণ আৰু এছিয়াৰ এই মনোভাবৰ একমাত্ৰ প্ৰবৃত্তি হৈছে য়ুৰোপীয় সভ্যতাক বিনাশ কৰা। ভূতপূৰ্ব্ব জাৰ্ম্মাণ কাইজাৰেও এই মততে মত দিছিল।

কিন্তু এচিয়াৰ এই পুনৰুত্থানক সকলোফালৰ পৰা আলোচনা কৰি 'Revolt of Asia' নামৰ কিতাপৰ

সামৰণিত Upton Close এ লেখিছে :—"We have come to the end of the white man's dominance. If he resigns himself to this historic evolution he will save his world and the Asiatic's world. If he resists he will likely bring about the destruction of both," অৰ্থাৎ বগা মানুহৰ পৃথিবীৰ ওপৰত প্ৰভুত্ব কৰাৰ দিন উকলিল। যদি তেওঁ এই ঐতিহাসিক উত্থানৰ সপক্ষে হয় তেন্তে প্ৰাচ্য আৰু পাশ্চাত্য দুয়োৰো ৰক্ষা হব, যদি বিপক্ষে যায় তেন্তে দুয়োৰো বিনাশ হোৱাৰ সম্ভাৱনা।

শ্যামত বিদ্ৰোহ ঘটিল! শ্যামৰ দৰে শান্ত নিৰ্জ্জু দেশত ৰাজনৈতিক আন্দোলনৰ ঢৌ উঠিব পাৰে বুলি মানুহে বিশ্বাস নকৰিছিল। বাস্তৱিক পক্ষে শ্যামত বিদ্ৰোহ বা বিপ্লৱ শান্তিপূৰ্ণ উপায়েই হৈছে বুলিব লাগে, মাত্ৰ এজন মানুহৰ প্ৰাণ এই বিপ্লৱত হানি হৈছে। বিদ্ৰোহীসকলে ৰজা ৰাজধানীৰ বাহিৰত থাকোঁতে ৰাজপ্ৰাসাদ অধিকাৰ কৰিবলৈ আহে আৰু প্ৰধান সেনাপতিয়ে বাধা দিয়াত তেওঁক গুলি কৰি মাৰে। ৰজাই যাতে বিদ্ৰোহ দমাব নোৱাৰে আৰু সময় নাপায় তাৰ বাবে বিদ্ৰোহী সকলে ৰাজপৰিয়ালক বন্দী কৰি বৰ তৎপৰতা আৰু ক্ষিপ্ৰতাৰে সৈতে সকলো কাম সমাধা কৰিছিল। শ্যামৰ ৰজা প্ৰজাধিপকে কোনো দ্বিৰুক্তি নকৰি শ্যামবাসীক স্বায়ত্ব-শাসন দিবলৈ স্বীকাৰ কৰে আৰু শ্যামবাসীৰ এনে সামান্য আন্দোলনতেই শ্যামত গণতন্ত্ৰৰ প্ৰতিষ্ঠা হ'ল।

শ্যামৰ শাসনতন্ত্ৰ সম্পূৰ্ণ ভাবে ৰজাৰ হাতত আছিল, প্ৰজাৰ কোনো ক্ষমতাই নাছিল। শ্যামৰ বৰ্ত্তমান ৰজা, প্ৰজাধিপক অত্যাচাৰী নাছিল বৰং তেখেতে প্ৰজাৰ মঙ্গলৰ বাবে সদাই চেষ্টা কৰিছিল। প্ৰজাধিপক যি বংশৰ ৰজা, সেই বংশক চক্ৰিবংশ বোলে। এই বংশই শ্যামত প্ৰায় ১৫০ বছৰ ৰাজত্ব কৰিছে। এই বংশৰ পূৰ্ব্বৰ কোনো এজন ৰজাও অত্যাচাৰী নাছিল। উনবিংশ শতাব্দীৰ মাজভাগত এই বংশৰ ৰজা, মাংগুই ৰাজসিংহাসনত থাকোঁতে পশ্চিমৰ সৈতে শ্যামৰ প্ৰথম সম্বন্ধ আৰম্ভ হয়। তেখেতে পাশ্চাত্যৰ বিজয়ী জাতিবোৰক অবাধে তেখেতৰ দেশত বেহা-বেপাৰ কৰিবলৈ আদেশ দি এই জাতিবোৰক অশেষ সুবিধা ভোগ কৰিবলৈ দিছিল। কিন্তু ইংৰাজ, ফৰাচী, জাৰ্ম্মাণ, আমেৰিকান আদি জাতিৰ স্বাৰ্থৰ ঠেকাঠেকিত এই সুবিধাবিলাক উঠি গৈ মহাসমৰৰ আগৰ পৰাই শ্যামৰ ৰজাই কোনো জাতিৰ হকাবাধা নোপোৱাকৈ ৰাজ্য চলাই আহিছে।



শ্যামৰ ৰজাৰ আগৰ দিনৰ শৰীৰ ৰক্ষকসকল—

এই বংশৰ ৰজাসকলে নানা ভাবে পাশ্চাত্য শিক্ষা, ৰীতি-নীতি অনুকৰণ কৰি দেশৰ অশেষ উন্নতি সাধন কৰিছে। দেশৰ সকলো ঠাইতে আধুনিক প্ৰণালীত প্ৰতিষ্ঠান গঢ়িছে। বিদেশৰ পৰা বিশেষজ্ঞ আনি উন্নত ৰকমৰ বাট-ঘাট, ৰেল জাহাজৰ চলাচল, বেতাৰ, টেলিফোন আদিৰ সুবন্দোৱস্ত কৰি দেশৰ অশেষ উন্নতি সাধন কৰিছে। দেশত বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ প্ৰচলন হৈছে আৰু মধ্য আৰু উচ্চশিক্ষাৰো ভাল ব্যৱস্থা হৈছে। শ্যামৰ ৰাজধানী বেঙ্কক এখন পাশ্চাত্য নগৰ বুলিলেও বুলিব পাৰি শ্যামত মুঠ ১৮৫০ মাইল ৰেলৰ আলি তৈয়াৰ হৈছে আৰু ইয়াৰ উপৰিও প্ৰতি বছৰে অন্ততঃ ২০০ মাইল ৰেলৰ আলি নতুন কৈ খোলা হয়। উন্নত প্ৰণালীৰ ৩০০০ মাইল যাতায়তৰ বাট তৈয়াৰ হৈছে আৰু প্ৰতি বছৰে ৪০০ মাইল বাট নিৰ্ম্মাণ কৰা হয়। এনে অৱস্থাতো শ্যামত বিদ্ৰোহ! ৰজা যেতিয়া উৎপীড়ক নহয়, বৰং প্ৰজাৰ মঙ্গলাকাঙ্ক্ষী, তেতিয়া শ্যামত বিদ্ৰোহ হ'ল কিয় তাৰ কাৰণ বিচৰা আৱশ্যক।

১৯২৭ চনত শ্যাম পৰিভ্ৰমণ কাৰী Upton Closeএ লেখিছিল—"কেণ্টন আৰু হঙ্কঙৰ পৰা আহি শ্যামত ভৰি দি আমাৰ এনেকুৱা লাগিছে যে আমি তপত ভঁাপত উতলি থকা 'বয়লাৰ'ৰ (Boiler) খোটালি এটাৰ পৰা চিৰ শান্তি বিৰাজিত মন্দিৰ এটাৰ ভিতৰতহে যেন সোমাইছোঁহি। শ্যামৰ ক'তো লেখত লব লগীয়া ৰাজনৈতিক আন্দোলন নেদেখিলোঁ। বনুৱাৰ কোনো সঙ্ঘ নাই, তিৰোতাৰ



শ্যামৰ ৰাজপৰিয়ালৰ কেগৰাকীমান—

আন্দোলনতো নায়েই আনকি তিৰোতাৰ কোনো "ক্লাবেই" (Club) নাই। ফৰাছী জাতিয়ে কাঢ়ি নিয়া শ্যামৰ অঙ্গ কাম্বদিয়া আৰু ইংৰাজে দখল কৰা শ্যান দেশ ঘূৰাই শ্যামত লগ লগোৱাৰ কোনো আন্দোলনৰ চিন-চাবকে নেদেখিলোঁ।" তেখেতে আৰু লেখিছিল :—"কিন্তু শ্যামত এটা জাতীয় জাগৰণ ক্ৰমাৎ বাঢ়ি অহাৰ চিন আমি পাইছোঁ। এই জাগৰণৰ খোৰাক যোগাইছে শ্যামৰ বাতৰি কাকতবোৰে, নতুন সাঁচত গঢ়ি জাতীয় ভাবে পালন কৰা শ্যামৰ পুৰণি তিথি মহোৎসৱবিলাকে, আৰু বাধ্যতামূলক সামৰিক শিক্ষাই।" তেখেতে এক ৰকম ভবিষ্যত বাণী কৰি লেখিছিল :—"বৰ্ত্তমানে শ্যামৰ পক্ষে এয়েই যথেষ্ট, বাকীখিনি আধুনিক প্ৰণালীৰ যাতায়তৰ ব্যৱস্থা আৰু নৱভাবে সমাধা কৰিব।" বাস্তৱতে তেখেতে কোৱা মতে এই কেবছৰৰ ভিতৰতে "শান্তিৰ স্বৰ্গ" শ্যামতো ৰাজনৈতিক বিপ্লৱ ঘটি গণতন্ত্ৰৰ প্ৰতিষ্ঠা হ'ল।

অৱশ্যে এইটো ঠিক যে ১৯২৩ চনৰ পৰাই চীন দেশৰ বলছেভিক্ এজেণ্ট সকলে শ্যামত তেওঁলোকৰ প্ৰচাৰ কাৰ্য্য চলাই আহিছে আৰু কিছুদিনৰ পৰা ৰাজদ্ৰোহমূলক কাৰ্য্য আগতকৈ অলপ বাঢ়িছিল। কিন্তু বিদেশীৰ এই প্ৰচাৰ কাৰ্য্যই শ্যামবাসীৰ মনত প্ৰভাৱ বিস্তাৰ কৰিব পাৰিব বুলি আশা কৰা নগৈছিল। আৰু বৰ্ত্তমান বিদ্ৰোহৰ যি খবৰ পোৱা গৈছে তাৰ পৰা বিদ্ৰোহত বিদেশী মানুহৰ হাত আছে বুলি অনুমান নহয়। শ্যামদেশ আয়তনত প্ৰায় স্পেইনৰ সমান হব আৰু ইয়াৰ লোকসংখ্যা সম্ভৱতঃ ১২,০০০,০০০, জন। ৰাজধানী বেঙ্ককত মানুহৰ বসতি বৰ ঘন, কিন্তু দেশৰ আন আন ঠাইত মানুহৰ বসতি বৰ পাতল। বছৰি হাজাৰ হাজাৰ চীনাই শ্যামদেশত শ্যামৰ প্ৰজা হিচাবে বাস কৰিবলৈ যায়। মানুহবিলাক সাধাৰণতে সুখী। শান্তি তেওঁলোকে বৰ ভাল পায় আৰু বৰকৈ কাম-কাজ কৰাত তেওঁলোকৰ আগ্ৰহ নাই। কোনো মতে নিজৰ পথাৰত হাল চোঁচৰাই কম কষ্টতে জীৱন ধাৰণৰ সামান্য মাত্ৰ খোৰাক-পোছাকৰ দিহা কৰিব পৰাকেই তেওঁলোকৰ জীৱনৰ ঘাই আদৰ্শ বুলি ধৰি লৈ সেই ভাবেই দিন কটাব লাগিছে। ইমান দিনে স্বেচ্ছাচাৰী ৰজাই ৰাজ্য শাসন কৰিছিল যদিও প্ৰজাৰ ওপৰত কোনো ৰকমৰ জোৰ-জুলুম নচলিছিল। কিছুদিনৰ আগেয়ে ৰাজ্যৰ ডাঙৰীয়া সকলৰ আৰু ৰাজফৈদৰ মানুহৰ দ্বাৰা "কাউন্সিল অব্ ষ্টেট্" নামে এখন সভা গঠন কৰি শাসন-যন্ত্ৰৰ অলপ সংস্কাৰো কৰা হৈছিল; কিন্তু শ্যামবাসীৰ জাতীয় জীৱনৰ সমস্যাবোৰৰ মীমাংসাৰ ভাৰ এই সভাই হাতত লোৱা নাছিল। আন দেশৰ তুলনাত শ্যামৰ কৰ-কাটলৰ বোজাও কম।

প্ৰায় ৫০ বছৰৰ ভিতৰতে শ্যামে প্ৰাচীনতাৰ মোহ একেবাৰেই পৰিত্যাগ কৰিছে। সম্পূৰ্ণ আধুনিক য়ুৰোপীয় সকলক অনুকৰণ কৰি, সুশাসিত পাশ্চাত্যৰ দেশ এখনৰ দৰে পৈণত ভাবে ৰজাই ৰাজকাৰ্য্য চলাইছিল। বৰ্ত্তমান ৰজা প্ৰজাধিপকৰ পিতাকে ৰাজকাৰ্য্য চলোৱাৰ প্ৰাচীন নিয়ম প্ৰণালী সলাই তাৰ ঠাইত আধুনিক নিয়ম-প্ৰণালী চলোৱাৰ ব্যৱস্থা কৰি গৈছিল। ৰজাই নিজে য়ুৰোপলৈ গৈ পাশ্চাত্য শাসনৰ নিয়ম-প্ৰণালীৰ অভিজ্ঞতা লৈ

আহিছিল। প্ৰতি বছৰে বহুতো ছাত্ৰক বিভিন্ন ৰকমৰ শিক্ষালাভ কৰিবলৈ য়ুৰোপলৈ পঠোৱা হয় আৰু ৰাজকাৰ্য্য চলাবলৈ বিদেশী কৰ্ম্মচাৰী আৰু অভিজ্ঞক লোৱা হয়। কিন্তু যোৱা জাৰ্ম্মাণ যুদ্ধৰ আগৰেপৰা এই ব্যৱস্থা পৰিবৰ্ত্তন কৰি বিদেশী কৰ্ম্মচাৰী আৰু অভিজ্ঞৰ ঠাইত শিক্ষিত শ্যাম ডেকাক লোৱাৰ ব্যৱস্থা হৈছে। জাৰ্ম্মাণ যুদ্ধই পৃথিবীৰ জাতিবিলাকৰ ভিতৰত এটা জাতি বুলি পৰিগণিত হবলৈ শ্যামক সুযোগ দিয়ে। এই যুদ্ধত শ্যামৰ ৰজাই মিত্ৰ শক্তিৰ পক্ষলৈ ফ্ৰান্সলৈ এটা ফৌজ পঠাইছিল, মিত্ৰ-শক্তিক সহায় কৰিবলৈ। ৰজাই যুদ্ধৰ পিছতে বেঙ্ককত এটা বৰ ডাঙৰ উৰণীয়া জাহাজৰ আড্ডা স্থাপন কৰে আৰু তাৰ লগে লগে এটা উৰণীয়া ফৌজো গঠন কৰে।

শ্যামবাসী বৌদ্ধধৰ্ম্মাৱলম্বী। শ্যামৰ ডেকাসকলক অন্ততঃ তিনি মাহ বৌদ্ধ পুৰোহিতৰ শিক্ষা লবলৈ বৌদ্ধ মঠ বিলাকলৈ পঠোৱা হয়। তাত তেওঁলোকক শিকোৱা হয় জীৱ হত্যা কৰা মহা পাপ বুলি ভাবিবলৈ আৰু বলক বলেৰে বাধা নিদিবলৈ। কিন্তু এই শিক্ষাৰ পিছতেই এই ডেকাবিলাকক ততালিকে আধুনিক সামৰিক শিক্ষা লবলৈ সৈন্য-শিবিৰলৈ পঠোৱা হয় আৰু তাত তেওঁলোকক ১৮ মাহ অতি আধুনিক য়ুৰোপীয় প্ৰণালীৰ সামৰিক শিক্ষা দিয়া হয়। ইয়াৰ পৰাই বুজিব পাৰি যে শ্যামে ন পুৰণি দুয়োকো মিহলাই নিজক কেনে ভাবে গঢ়ি তুলিছে।

এইটো বৰ আচৰিত কথা যে শ্যামৰ ব্যৱসায়-বাণিজ্য শ্যামবাসীৰ হাতত সমূলি নাই। দেশৰ সকলো ব্যৱসায়-বাণিজ্য চীনা, জাপানী, আমেৰিকান, য়ুৰোপীয় আৰু ভাৰতীয়ৰ হাতত, শ্যামবাসী মাত্ৰ কিনোতাহে। এই ব্যৱসায়ত চীনাৰেই ভাগ বেছি। শ্যামৰ কাম-বন কৰা বনুৱা কুলি সম্প্ৰদায়ো হৈছে চীনা। কিন্তু শ্যামবাসীয়ে শাসন-যন্ত্ৰ নিজৰ হাতৰ মুঠিত সম্পূৰ্ণ ভাবে ৰাখিছে। দায়িত্বপূৰ্ণ ডাঙৰ ডাঙৰ বিষয়-বাববিলাক দেশৰ ডাঙৰীয়া আৰু ৰাজ পৰিয়ালৰ হাতত আৰু বিভিন্ন বিভাগৰ তলতীয়া কৰ্ম্মচাৰীৰ পদবিলাক পূৰাইছে শ্যামৰ মানুহে।

ৰজা ৰামৰ শাসন কালৰ শেষ অৱস্থাত ৰাজ-ভৰালত অৰ্থৰ অনাটন ঘটে। ৰজা প্ৰজাধিপকে ৰাজপাটত উঠিয়েই আৰ্থিক অনাটনৰ হাত সাৰিবলৈ ৰাজকাৰ্য্য চলোৱাত বিশেষ ভাবে খৰচ কমোৱাৰ ব্যৱস্থা কৰে। কিন্তু ৰজাৰ এই ব্যৱস্থাই দেশত এটা অসন্তোষৰ ভাবহে সৃষ্টি কৰিলে। এই ব্যৱস্থাইও বিশেষ একো বিঘিনি ঘটাব নোৱাৰিলেহেঁতেন যদি জগতজুৰি হোৱা বিপদে



ৰাজ বেশত শ্যামৰ প্ৰজাধিপক—

শ্যামত ভুমুকি নামাৰিলেহেঁতেন। ৰজাৰ এই দিহাইও আৰ্থিক অনাটন গুচাব নোৱাৰাত কৰ্ম্মচাৰী সকলৰ দৰমহা কমোৱাৰ ব্যৱস্থা হ'ল, আৰু দৰমহা কমোৱা হ'ল অলপ বেছিকৈ। ইয়াৰ উপৰিও ৰাইজৰ ওপৰত নতুন টেক্স বহুৱা হ'ল। নতুনকৈ বহুৱা এই টেক্স যদিও আন আন দেশত বহুৱা টেক্সতকৈ কম তথাপিও ৰাইজৰ ওপৰত ইয়াৰ হেঁচা পৰিল।

এয়েই অসন্তোষৰ জুইত ঘিউ ঢালিলে। দেশৰ ব্যৱসায় বাণিজ্য পৰৰ হাতত থকাত আৰু জীৱিকা-নিৰ্ব্বাহৰ আন উপায় নথকাত প্ৰত্যেক জন ডেকা শ্যাম-বাসীয়েই জীৱন ধাৰণৰ নিমিত্তে ছৰকাৰী চাকৰিৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰে; কিন্তু বৰ্ত্তমানে স্কুল-কলেজৰ পৰা

ইমান বেছিকৈ ছাত্র পাছ কৰি ওলাব লাগিছে যে বজাই সকলোকে চাকৰি দিব নোৱাৰাত পৰিছে। তাতে আকৌ ব্যয়সঙ্কোচ। দেশত, বিশেষকৈ বেঙ্গলত, উচ্চ ধৰণৰ শিক্ষাৰ অতি সুন্দৰ ব্যৱস্থা থকাত শ্যামত এটা শিক্ষিত সম্প্ৰদায়ৰ সৃষ্টি হৈছে, যদিও এই শিক্ষিত সম্প্ৰদায়ৰ বেছি ভাগে কি কৰি খাব তাৰ দিহা শাসনতন্ত্ৰই সুচাক ৰূপে কৰি উঠিব পৰা নাই। ইয়াতেই তেওঁলোকৰ মনত এটা অসন্তোষৰ ভাবে ঠাই পাইছে। অতিমাত্ৰাই পাশ্চাত্য শিক্ষাৰ ব্যৱস্থা হোৱাত এই শিক্ষিত সম্প্ৰদায়টো পাশ্চাত্য ভাৱাপন্ন হৈ পৰিছে; আৰু বাজনীতিয়ে তেওঁলোকৰ মনত প্ৰবল প্ৰভাৱ বিস্তাৰ কৰি তেওঁলোকৰ ভিতৰত জাতীয়তাৰ ভাব নোমাই দিছে। তেওঁলোকে নতুন আশাত চকু মুদি বাজনৈতিক চাকনৈয়াত জাপ দিছে। শ্যামত বিদ্ৰোহ হোৱাৰ মূল সম্ভৱতঃ এয়েই। পাশ্চাত্যৰ আদৰ্শত সম্পূৰ্ণৰূপে অনুপ্ৰাণিত হৈ নিজৰ পুৰণি ৰীতি-নীতিক ঘিণ কৰিবলৈ শিকি, নতুন আচাৰ ব্যৱহাৰ, ৰীতি-নীতিক, আদৰি আনিছে শিক্ষিত শ্যামে কেৱল মাত্ৰ বৰ্ত্তমান যুগৰ লগত সমানে তাল মিলাই যাবলৈ। বজা থাকক, তাত তেওঁলোকৰ আপত্তি নাই, তেওঁলোকৰ আপত্তি হৈছে তেওঁলোকৰ জীৱন-মৰণৰ সমস্যা সম্পূৰ্ণ ভাবে বজাৰ হাতত থকাত, বজাৰ হাতত শাসনৰ সকলো ক্ষমতা থকাত। তেওঁলোকবো বাজ্যশাসনত ভাগ থাকিব লাগে, এইটো হৈছে তেওঁলোকৰ ইচ্ছা। সেই দেখি বজাৰ ক্ষমতা সীমাবদ্ধ কৰি নিয়ন্ত্ৰিত কৰিবলৈ এই বিদ্ৰোহ কৰিছিল। স্বেচ্ছাচাৰ বাজতন্ত্ৰৰ ঠাইত তেওঁলোকে বিচাৰিছিল নিয়ন্ত্ৰিত বাজতন্ত্ৰৰ প্ৰতিষ্ঠা। বজা প্ৰজাগিৰিকে তেওঁলোকৰ নায্য দাবী মানি সীমাবদ্ধ আৰু নিয়ন্ত্ৰিত ক্ষমতা লৈ বাজত্ব কৰিবলৈ সম্মতি দিয়াত প্ৰায় বিনা বক্তপাতে শ্যামৰ বিদ্ৰোহৰ এই আধ্যা ইমানতে শেষ পৰিল।



শ্যামৰ বাজমহিষী

বৰ্ত্তমানৰ এই বিদ্ৰোহ শিক্ষিত সম্প্ৰদায়ৰ বিদ্ৰোহ, দেশৰ গোটেইখন সম্প্ৰদায়ৰ লগত ইয়াৰ সংযোগ নাই। শাসক সম্প্ৰদায়ৰ বাজে দেশত বৰ্ত্তমানে কোনো দেখন লৰ লগীয়া নেতা নাই কিন্তু অৱস্থা সৃষ্টি হোৱাৰ লগে লগে জননায়কৰ আবিৰ্ভাব নোহোৱাকৈ নাথাকে। উন্নতি পথৰ যাত্ৰাৰ শেষ নাই, বিৰাম নাই। বাজনৈতিক আকাশৰ ভাব-গতি বুজাও টান। এনে অৱস্থাত মানৱ সোঁতৰ উদ্যম বেগ, প্ৰবল গতিৰ হেঁচাত শ্যামে ওচৰত কোনো নিবাপদ বন্দৰ নাই বুলি জানিও তটহীন বাজনৈতিক সমুদ্ৰত প্ৰবল ঝঞ্ঝাৰ ওপৰেদি জীৱন-তৰী মেলি দিছে। কোনে জানে শ্যামৰ ভাগ্যত আৰু কি আছে!

* Upton Close William Nunn M. P, Bertrand Russel আদি লিখকৰ এই প্ৰবন্ধ লেখাতে সহায় লোৱা হৈছে—লিখক।

তত্ত্বকথা

(৩)

শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা

"গোপীৰ শুনিয়া আকুল বাণী।
ভৈলন্ত সদয় সাৱঙ্গপাণি॥
হাসিয়া বোলন্ত এবিয়ো তাপ।
গোপীক ক্ৰীড়িলা জগত বাপ॥" (কীৰ্ত্তন)

ইতি বিৰুবিতং তাসাং শ্ৰুত্বা যোগেশ্বৰেশ্বৰঃ।
প্ৰহস্ত সদয়ং গোপীঃ আত্মাৰামঃ অপি অৰীৰমৎ॥

যদিও যোগেশ্বৰ ঈশ্বৰ আত্মাৰাম, তথাপি তেওঁ ভক্তনাহা পূৰ্ণ কৰিবৰ মনেৰে, আৰু বহিমুৰ্খ গোপীসকলক অন্তমুৰ্খ কৰিবৰ নিমিত্তে, তেওঁলোকৰ নিৰ্ম্মল মনৰ ভাব জানি তেওঁলোকেৰে সৈতে বাসক্ৰীড়া আৰম্ভ কৰিলে। তেওঁ বুজিছিল যে গোপীসকলৰ দ্বিতীয় জ্ঞান বিনষ্ট হৈছে।

কিন্তু যদিও গোপীসকলৰ ভগৱন্তৰ বাহিৰে আন বস্তুত অলপো মমতা নাছিল, তথাপি তেতিয়াও যৎকিঞ্চিৎ অহং ভাবৰ আভাস আছিল। সেইদেখি ভগৱন্তৰে সৈতে বিহাৰ-সুখ লাভ কৰি অন্তৰত থকা সেই অহং ভাবৰ বীজ গৰ্ব্বত পৰিণত হ'ল। তেওঁলোকে ভাবিলে, আমাৰ সমান ভাগ্যৱতী কোনো নাই, আমি মদন মোহনকো মোহিত কৰিলোঁ—

"আমাৰ সম সুভাগিনী নাই।
ভৈলন্ত অধীন যাদৱৰায়।"

অন্তৰ্য্যামী কৃষ্ণই সেইটো জানিব পাৰি তৎক্ষণাৎ অন্তৰ্দ্ধান হ'ল।

"তাসাৰ দৰ্প হবিবে মনে।
ভৈল অন্তৰ্দ্ধান তৈতে তেথনে॥"

মনে একে সময়তে দুটা বস্তু ধাৰণ কৰিব নোৱাৰে; আৰু অৱলম্বন নোহোৱাকৈ এখন্তেকো সি থাকিব নোৱাৰে। মন যেতিয়া ভগৱন্ত বস্তুত নিবিষ্ট হয়, তেতিয়া জগতৰ আন বস্তু মনৰপৰা আঁতৰে। এই নিগূঢ় তত্ত্বকে দেখুৱাবৰ নিমিত্তে এই লীলা। বাস্তৱিকতে তেওঁ গোপীসকলক পৰিত্যাগ কৰি কৈলেকো যোৱা নাছিল। গোপীসকলৰ মন যেতিয়া নিজৰ শৰীৰৰ ফালে গ'ল, স্বভাৱতে তেওঁলোকে ঈশ্বৰক নেদেখা হ'ল। সাধকসকলবো মনৰ প্ৰথম অৱস্থাত এনেকুৱা হয়,—একো একোবাৰ ভগৱন্তৰ দৰ্শন তেওঁলোকে পাই, আকৌ তেতিয়াই হেকৰাই পেলায়।

"মাজে মাজে তব দেখা পাই।
চিৰদিন কেন পাই না?
কেন মেঘ আসে
হৃদয়-আকাশে,
তোমাবে হেবিতে দেয় না।

(ৰবীন্দ্ৰনাথ)

"Immitation" নামৰ কিতাপত লেখিছে—

"My son, when the fire of devotion is kindled in thy heart let not the favour exalt thee into pride; boast not of it to others as a distinction due to thy superior merit, nor ponder it in thy own mind with self approbation and complaisance.

"Neither exalt thy-self in thy own esteem as the peculiar favourite of Heaven, because thy heart felt the raptures devotion and tasted the ineffable sweetnessof spiritual fervour: for by those marks the lover of perfection is not known"

কৃষ্ণক নাপাই পাছে গোপীচয়
মিলিল সন্তাপ ভৈলন্ত ভয়।"

অন্তর্হিতে ভগৱতি সহসৈব ব্ৰজাঙ্গনাঃ।
অতপ্যংস্তমচক্ষাণাঃ কৰিণ্য ইব যূথপম॥
"যেন যূথপক নেদেখি বনে।
কান্দে আৰ্ত্তৰাৱে হস্তিনীগণে॥"

ইয়াৰ পিছত শ্ৰীকৃষ্ণাত্মিকা গোপীসকলৰ শ্ৰীকৃষ্ণ-লীলানুকৰণ। কৃষ্ণৰ গতি, অনুৰাগ, স্মিত. সবিলাস নিৰীক্ষণ, মনোৰম আলাপ, বিহাৰ ক্ৰীড়া, আৰু আন আন কাৰ্য্যৰ দ্বাৰাই গোপীসকলৰ চিত্ত আকৃষ্ট হৈছিল। 'তদাত্মিকা'—শ্ৰীকৃষ্ণই তেওঁলোকৰ আত্মা। সেইদেখি শ্ৰীকৃষ্ণৰ, "বিচেষ্টা জগৃহুঃ" অৰ্থাৎ তেওঁৰ লীলাৰ অনুকৰণ কৰি ক্ৰীড়া কৰিবলৈ ধৰিলে। আৰু গোপীসকলৰ "আমিয়েই শ্ৰীকৃষ্ণ" এনে ভাব হ'ল।

"হৰিল চিত্ত পাসৰিল মৰ্ম্ম।
কৰিবে লাগিল কৃষ্ণৰ কৰ্ম্ম॥
মইসে কৃষ্ণ জান গোপীগণ।
অন্যো অন্যে গোপী বোলে বচন॥"
"পুতনাৰ বেশে কতো গোপী দেয় স্তন।
কতো শিশুকৃষ্ণ হুয়া শোষয় জীৱন।"

ইত্যাদি

"এহিমতে কৃষ্ণ চেষ্টা কৰে গোপীগণে।
কৃষ্ণক সোধন্তে ফুৰে পশি বৃন্দাবনে॥"
"উচ্চ বৃক্ষ দেখি সোধে সাদৰি।
শুনিয়ো অশ্বত্থ বট পাকড়ি॥
যাহান্তে দেখিলা নন্দকুমাৰ।
নেন্ত চুৰি কৰি চিত্ত আমাৰ॥"
"ওবা তুলসী সমিধান দিয়া।
তুমি গোবিন্দৰ চৰণপ্ৰিয়া॥
যাহন্তে দেখিলা নন্দকুমাৰ।
প্ৰাণতো অধিক প্ৰিয় আমাৰ॥"

ইত্যাদি

মৃগপত্নী, পৃথিবী, আৰু লতাকো তেওঁলোকে কৃষ্ণৰ বাতৰি সুধিছিল।

"সমস্তে বিহ্বল হুয়া গোপিনী।
কৰে কৃষ্ণলীলা কতো আপুনি॥"

এইবোৰ কল্পনাৰ কথা নহয়, সত্য অৱস্থা। জ্ঞানীসকলে জগতৰ চেতন অচেতন সকলো পদাৰ্থতে ব্ৰহ্মৰ অনুসন্ধান কৰে।

"বিদ্যা অবিদ্যা জন্য সুখে নিৰপেক্ষ হুয়া
কৰিল আপন মন স্থিৰ।
বাসুদেৱময় মাত্ৰ সকল জগত ইটো
পুৰুষাৰ্থ জানিবা জ্ঞানীৰ॥"

(ঘোষা)

এইটো সেই ব্ৰহ্মানুসন্ধান আৰু জগৎব্ৰহ্মময় দেখাৰে প্ৰত্যক্ষ অভিনয়। অৱশ্যে জ্ঞানী আৰু ভক্তৰ প্ৰভেদ আছে। জ্ঞানীয়ে সকলো বস্তুতে ঈশ্বৰৰ অৱস্থিতি অনুভৱ আৰু দৰ্শন কৰিয়েই নিজক ধন্য মানে।

"সমস্ত ভূততে ব্যাপী আছোঁ মই হৰি।
সবাক মানিবা তুমি বিষ্ণুবুদ্ধি কৰি॥
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাহাকেসে পণ্ডিত বোলয় সৰ্ব্বজান॥
কুকুৰ চণ্ডাল গৰ্দ্দভৰো আত্মা ৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম॥
বিষ্ণুময় দেখে যিটো সমস্ত জগত।
জীৱন্তে মুকুত হোৱে অচিৰ কালত॥"

কিন্তু ভক্তই এই নীৰস জ্ঞানতে সন্তুষ্ট থাকিব নোৱাৰে॥ ভক্তই সচ্চিদানন্দ ঈশ্বৰৰ মূৰ্ত্তি চকুৰে চাব, হাতেৰে তেওঁৰ সেৱা আৰু হৃদয়েৰে তেওঁক আলিঙ্গন কৰিবলৈ বিচাৰে। ভক্তই—

"সমস্ত সুখক ত্যজি পুৰুষোত্তম প্ৰেম
ভকতিক কৰিল আশ্ৰয়।
ভকত সবৰ এহি পুৰুষাৰ্থ মনোনীত॥"
আত সুখ অধিক পাৱয়।" (ঘোষা)

ঈশ্বৰ শ্ৰীকৃষ্ণই উদ্ধৱক কৈছে,—

"ভকতেসে মোৰ হৃদি জানিবা নিশ্চয়।
ভকত জনৰ জানা আমিসে হৃদয়॥
মই বিনা ভকতে নিচিন্তে কিছু আন।
ভকতত পৰে মই নিচিন্তোঁহোঁ আন॥" (কীৰ্ত্তন)

মানুহে প্ৰিয়বস্তুৰ অদৰ্শনত উন্মত্তৰ নিচিনা হৈ

অচেতন পদাৰ্থকো সেই প্ৰিয়ৰ কথা সোধে। উদাহৰণ, কালিদাসৰ বিৰহী যক্ষ! অলপ সময়ৰ নিমিত্তে মিছা আনন্দ দিয়া পদাৰ্থক নেদেখিও যদি মানুহৰ এনেকুৱা হয়, তেন্তে মূৰ্ত্তিমন্ত পৰমানন্দৰ বিচ্ছেদত যে গোপী সকলৰ এনে হব তাত আশ্চৰ্য্য কি? গোপীসকলৰ কৃষ্ণ-জিজ্ঞাসাই বেদান্তৰ ব্ৰহ্ম-জিজ্ঞাসা, আৰু স্বৰূপানন্দ ভগৱন্তৰ সুমধুৰ ৰাসলীলা।

গীতাত শ্ৰীকৃষ্ণই কৈছে,—

যো মাং পশ্যতি সৰ্ব্বত্ৰ সৰ্ব্বঞ্চ ময়ি পশ্যতি।
তস্যাহং ন প্ৰণশ্যামি স চ মে ন প্ৰণশ্যতি।

অৰ্থাৎ যি মোক সৰ্ব্বত্ৰ সৰ্ব্বভূততে দেখে আৰু মোতে সকলো পদাৰ্থ দেখিবলৈ পায়, তাৰে সৈতে মোৰ কেতিয়াও বিচ্ছেদ নঘটে।

প্ৰিয় বস্তুৰ অদৰ্শনত মানুহৰ মনলৈ এনেকুৱা উন্মত্ততা অহাটো স্বাভাৱিক। মহাকবি কালিদাসৰ মেঘদূত আৰু স্যেক্সপিয়েৰৰ 'As you like it' ইত্যাদি গ্ৰন্থতে ইয়াৰ প্ৰমাণ আছে। আনন্দ দায়ক অনিত্য পদাৰ্থৰ অদৰ্শনতেই যদি মানুহৰ মনৰ অৱস্থা এনে হয়, নিত্যানন্দৰ বিচ্ছেদত প্ৰেমিক ভক্তৰ এনে হোৱাটো একো আচৰিত কথা নহয়। যি বস্তু প্ৰেমিকৰ আনন্দ দায়ক, সি অৱশ্যে অপ্ৰেমিকৰ হাস্য জনক হব পাৰে। গোপীসকলে একাগ্ৰ মনেৰে কৃষ্ণানুসন্ধান কৰোঁতে কৰোঁতে, কৃষ্ণক ভাবোঁতে ভাবোঁতে শেহত নিজকে কৃষ্ণ বুলি ভাবি একাকাৰ হোৱাটোও স্বভাৱ আৰু দৰ্শন সিদ্ধ। এই দেখিয়েই বিদ্যাপতিয়ে গাইছে—

"অনুক্ষণ মাধৱ মাধৱ সোঙৰিতে
সুন্দৰী ভেলি মাধাই।
ও নিজ ভাব স্বভাৱ হি বিছুৰল
আপন গুণ লুবধাই॥"

ব্ৰহ্ম-সাধনাতো সাধকে একাগ্ৰ চিত্তেৰে ধ্যান কৰোঁতে কৰোঁতে নিজেই ধ্যেয় বস্তুৰ স্বৰূপতা প্ৰাপ্ত হয়। ইয়াকেই সবিকল্প সমাধি বোলে।

যি জনী গোপীক লৈ শ্ৰীকৃষ্ণ অন্তৰ্দ্ধান হৈছিল, সেই জনীৰ মনতো লাহে লাহে গৰ্ব্ব উদয় হ'ল।

"চলি যায় যিটো গোপী কৃষ্ণৰ লগত।
মহা গৰ্ব্বভাৰ তাইৰ বাঢ়িল মনত॥
কৃষ্ণৰ আশায়ে আইলোঁ যত গোপীজাক।
সবাকে এৰিয়া কৃষ্ণে ভজিলা আমাক॥
সমস্তে নাৰীত শ্ৰেষ্ঠ আপোনাক জানি।
মহাদৰ্পে কৃষ্ণক বুলিলা হেন বাণী॥"
সা চ মেনো তদাত্মানং বৰিষ্ঠং সৰ্ব্ব যোষিতাম্।
হিত্বা গোপীঃ কামযানা মামসৌ ভজতে প্ৰিয়ঃ॥

ইয়াকে ভাবি—

ততো গত্বা বনোদ্দেশং দৃপ্তা কেশৱমব্ৰবীৎ।
ন পাৰয়েঽহং চলিতুং নয় মাং যত্ৰতে মনঃ॥

অৰ্থাৎ—

"চলিতে নপাৰোঁ আৰ মই এক ভৰি।
যৈকে মন নিয়া আৰে যেন লাগে কৰি॥"

এই কথা শুনি শ্ৰীকৃষ্ণই তাইক হাঁহি কলে,—

"শুনি হেন হৰিও বুলিলা তাইক হাসি।
যাইবে যেবে নোৱাৰা কান্ধত উঠা আসি॥"
এবমুক্তঃ প্ৰিয়ামাহ স্কন্ধ আৰুহ্যতামিতি।
"শুনি উঠিবেক তাই গৈল কাছি-পাৰি।
দেখি অন্তৰ্দ্ধান ভৈল আগতে মুৰাৰি॥

ইংৰাজীত কবৰ নিচিনা Rightly Served। দৰ্প-হাৰী হৰিয়ে তৎক্ষণাৎ তাইৰ দৰ্প হৰণ কৰিলে। কি সুন্দৰ অভিনয়! কি সাৰাতিসাৰ শিক্ষা! শ্ৰীকৃষ্ণৰ সখা শ্ৰীদাম, সুদাম, সুৱল আদিক কতবাৰ ধেমালিত শ্ৰীকৃষ্ণই কান্ধত লৈছে তাৰ ঠিক নাই, কিন্তু এই গোপীয়ে দৰ্পভাৱে এবাৰ মাথোন তেওঁৰ কান্ধত উঠিবলৈ গৈছিল, দিলে তাইক অপমান কৰি শিক্ষা। সুৱল সুদামহঁতে সখ্যভাৱে তেওঁৰ কান্ধত উঠিছিল। তাত তেওঁৰ আনন্দই হৈছিল। কিন্তু এই গোপীয়ে প্ৰৱল দৰ্পৰ ভাৱত কান্ধত উঠিবলৈ গৈছিল দেখি, দিলে তাইক ঈশ্বৰে ঠিক কৰি। কামুক পুৰুষৰ লাঞ্ছনা আৰু তিৰোতাৰ দুৰ্জ্জন ভাব দেখুৱাবৰ নিমিত্তেই এই লীলা।—

"দেখাইলন্ত দুঃখ কামাতুৰ পুৰুষৰ।
স্ত্ৰীৰো দুৰ্জ্জন ভাব শুনা আতপৰ॥"

ইয়াৰ নিগূঢ় তাৎপৰ্য্য, উপনিষদত আছে,—

"যদি মন্যসে সুবেদেতিদভ্ৰমেবাপি নূনং ত্বং বেত্থ ব্ৰহ্মণোৰূপম।"

অর্থাৎ "যদি তুমি এনে মনত ভাবা যে মই ব্রহ্মক সুন্দৰ ৰূপে জানিছোঁ, তেন্তে নিশ্চয় তুমি ব্রহ্মৰ স্বৰূপ অতি অলপহে জানিছা।" কাৰণ এইটো তোমাৰ জনা হোৱা নাই যে অনন্ত স্বৰূপ ব্রহ্মক সুন্দৰ স্বৰূপে জনা নাযায়। তুমি হয়তো, ব্রহ্মক কোনো মূৰ্ত্তিমান পদাৰ্থৰ নিচিনা বুজিছা, অথবা তাৰ ওপৰতো যদি সূক্ষ্ম কিবা বস্তু বুজিছা তেনেহলে তুমি ব্রহ্মক দেহশূন্য, পৰিমিত মনৰ নিচিনা কোনো বস্তু বুলি ভাবিছা। তুমি কেতিয়াও জানিব পৰা নাই যে ব্রহ্মৰ শৰীৰো নাই, মনো নাই। তেওঁৰ শৰীৰ থাকিলে, তেওঁ প্রত্যক্ষৰ বিষয় হ'লহেঁতেন, আৰু মন থাকিলে, মনৰ গ্রাহ্য হ'লহেঁতেন। অনন্ত জ্ঞান স্বৰূপ ব্রহ্মক আমাৰ পৰিমিত জ্ঞানেৰে আয়ত্ত কৰিব নোৱাৰোঁ। আমি মাথোন জানিছোঁ, তেওঁ জগত সৃষ্টি কৰিছে, জগত ৰক্ষা আৰু পালন কৰিছে। তেওঁ এই সৃষ্টিৰ মঙ্গলৰ নিমিত্তে দয়া, স্নেহ, প্রেমৰ সৃষ্টি কৰিছে; সেই দয়া, স্নেহ আৰু প্রেম আমাৰ দয়া, স্নেহ, প্রেমৰ নিচিনা পৰিমিত নহয়। এই বাবেই উপনিষদৰ ঋষিয়ে কৈছে—

নাহং মন্যে সুবেদেতি নো ন বেদেতি বেদচ।
যোনস্তদ্বেদ তদ্বেদ নো ন বেদেতি বেদ চ।"

অর্থাৎ মই ব্রহ্মক সুন্দৰৰূপে জানিছোঁ, এনে বুলি নাভাবোঁ। ব্রহ্মক যে মই নাজানো এনেকৈয়া নাভাবোঁ। অর্থাৎ মই জ্ঞানৰ দ্বাৰাই ব্রহ্মৰ অনাদ্যন্ত পূৰ্ণভাব আৰু তেওঁৰ সত্তা, সুন্দৰ, মঙ্গল ভাব প্রতীতি কৰিছোঁ, কিন্তু মোৰ বুদ্ধি যে পৰিমিত, সেই দেখি পৰিমিত বস্তুৰ দৰে সবিশেষৰূপে ব্রহ্মক আয়ত্ত কৰিব পৰা নাই! এই বাবেই আকো উপনিষদৰ ঋষিয়ে কৈছে—

যস্যামতং তস্য মতং মতং যস্য ন বেদ সঃ।
অবিজ্ঞাতং বিজানতাং বিজ্ঞাতমবিজানতাম্॥

অর্থাৎ "যি এনে নিশ্চয় কৰিছে যে মই ব্রহ্মক নাজানো তেওঁবেই ব্রহ্মক জনা হৈছে। আৰু যি এনে নিশ্চয় কৰিছে যে মই ব্রহ্মক জানিছোঁ, তাৰ ব্রহ্মক জনা হোৱা নাই। অর্থাৎ আমাৰ পৰিমিত বুদ্ধিৰে যে ব্রহ্মৰ স্বৰূপক আমি জানিব নোৱাৰোঁ, এইটো বুজিলেই ব্রহ্মৰ অনাদ্যন্ত পূৰ্ণ স্বৰূপ জনা হ'ল।

শ্রীকৃষ্ণৰ এই লীলাত বেদৰ এই বাক্যবে প্রত্যক্ষ অভিনয়। সেই গোপীজনাই ভাবিছিল, মই ত্রিজগতৰ প্রভুক আয়ত্ত কৰিলোঁ। ফলত ত্রিজগতৰ প্রভু শ্রীকৃষ্ণ তেওঁৰ আয়ত্ত নহ'ল।

গোপীসকলে কৃষ্ণক বিচাৰোঁতে বিচাৰোঁতে তেওঁৰ পদচিহ্ন অৱলম্বন কৰি যাবলৈ ধৰিলে।

"গোপীপাদে গোবিন্দৰ খোজ নেয় গুৰি।"

ভগৱন্তক পাবলৈ হলে, তেওঁৰ পাদপদ্মক অৱলম্বন বাহিৰে আন উপায় নাই।

এইদৰে যাওঁতে যাওঁতে গোপীসকলে দেখিলে কৃষ্ণ নগতে যোৱা সেই গোপী সমীপতে;

"সমীপতে দেখে সী কান্দে দুঃখে পৰি।"

তেতিয়া তেওঁলোকে তাইৰ পৰা সকলো বৃত্তান্ত—

"শুনিয়া বিস্ময় আতি ভৈল যত সখী।
নিবৰ্ত্তিল সবে ঘোৰ অন্ধকাৰ দেখি॥
"তমঃপ্রবিষ্টমালক্ষ্য ততো নিবৰ্ত্তুঃ স্ত্রিয়ঃ"

বৃন্দাবনত "তমঃপ্রবিষ্ট" দেখি গোপীসকল নিবৃত্ত হ'ল। ইয়াৰ আগতে তেওঁলোকৰ হৃদয়-বৃন্দাবনত তমঃ অর্থাৎ এজাৰ সোমাইছিল, সেইদেখি এজাৰ দেখিছিল। তেওঁলোকে তমোগুণ অর্থাৎ অহঙ্কাৰেৰে ভাবিছিল যে কৃষ্ণক বৃন্দাবনত বিচাৰি উলিয়াব; সেই অহঙ্কাৰ চূর্ণ হ'ল। যি হৃদয় বৃন্দাবনত কৃষ্ণক দেখিবলৈ নাপায় সি গোটেইখন বহিৰ্বৃন্দাবনত বিচাৰি ফুৰিলেও কৃষ্ণক নেদেখে। তেওঁলোকৰ অহঙ্কাৰ চূর্ণ হলত তেওঁলোকে এইটো বুজি আকো কালিন্দীৰ তীৰলৈ উজতি আহি কৃষ্ণ গুণ-গান কৰিবলৈ লাগিল; অর্থাৎ ৰাগপৰা প্রথমতে যাত্রা আৰম্ভ কৰিছিল, উজতি আহি আকো সেইখিনি পাই আছল উপায় কৃষ্ণ-গুণ কীর্ত্তন কৰিবলৈ ধৰিলে। তেওঁলোকে নিজৰ নিজৰ ঘৰলৈ উজতি নগ'ল; কাৰণ তেওঁলোকৰ নিজ গৃহ স্মৰণ পথলে নাহিল। নিজৰ ঘৰ-বাৰী, পতি-পুত্ৰ, সুহৃদ-বান্ধৱ তেওঁলোকে পৰিত্যাগ কৰি "শ্রীকৃষ্ণমনাঃ" আৰু সর্ব্বতোভাৱে "তদাত্মিকা", তন্ময় হৈ পৰিছিল। এনে অৱস্থাত কৃষ্ণক নাপায়ো নিজৰ ঘৰলৈ যাবৰ কথা তেওঁলোকৰ মনত ওলোৱাটো অসম্ভৱ।

ভগৱন্তবে সৈতে জীৱৰ নিত্য সেব্য-সেৱক সম্বন্ধ। ভগৱন্তব পৰম ধামেই জীৱৰ নিত্যধাম। জীৱ এই পৰম ধামপৰা বিচ্যুত হৈ,—যেনে ঈশ্বৰৰ পাৰিষদ জয় বিজয়ৰ বিচ্যুতি—অনেক কাল ঘুৰি ঘুৰি যেতিয়া নিজক আকৌ চিনি পৰা হয়, তেতিয়া জীৱৰ সেই স্বস্থানলৈ গতি হয়, আৰু মায়িক অলীক সম্বন্ধবোৰ পৰিত্যাগ কৰি ভগৱন্তবে সৈতে তেওঁৰ সম্বন্ধ স্থাপিত হয়। ঠিক যেন ভাৱনা ঘৰত এৰাতি নিমিত্তে ভাৱনা কৰোঁতা ভাৱৰীয়া। ভাৱনা ভাগিলত ভাৱৰীয়া নিজ ঘৰলৈ উজতিল। ইয়াকেই "বেদে ৰামায়ণে পুৰাণে ভাৱতে" জীৱৰ স্বৰূপাৱস্থান বুলিছে। গোপীসকলে নিজ নিজ দেহক যেতিয়ালৈকে ভাবি আছিল, তেতিয়ালৈকে তেওঁলোকৰ কৃষ্ণানুসন্ধান চেষ্টা ব্যর্থ হৈছিল। যেতিয়া তেওঁলোকৰ ভ্রান্তি গুচি আত্মজ্ঞান জন্মিল, অর্থাৎ স্বস্থানলৈ পুনৰায় আহি, তেওঁলোক কৃষ্ণধ্যান আৰু কৃষ্ণ-গুণ-গানত মগ্ন হ'ল, তেতিয়া তেওঁলোকৰ কৃষ্ণলাভ সুগম হৈ উঠিল।

"কৃষ্ণপদ-পঙ্কজে নিবিড় কৰি চিত্ত।
দুনাই যমুনাৰ সবে নামিল বালিত॥

কৃষ্ণক প্রাপ্তিৰ গোপী এক ঠাই হই।"

প্রেমিক জ্ঞানী-ভক্তৰ ঈশ্বৰ লাভৰ অর্থে প্রার্থনাই এনে,—

"তুমি শুদ্ধ, বুদ্ধ, নিত্য, নির্ম্মল, নিগুণ দেৱ,
স্বৰূপ আনন্দে সদা সুখী।
আমি মূঢ়মতি ঘোৰ অবিদ্যা সাগৰে মজি
তোমাক নাজানি ভৈলোঁ দুঃখী॥
হৰি হৰি, স্বৰূপ নাজানি ভৈলোঁ দুঃখী॥
প্রাণবন্ধু ইবাৰ নেবিবা হৰি মোক।

* * * *

মনুষ্য যোনিৰ কৰ্ম্মে নিঃশেষ যোনিত ফুৰি
বাৰে বাৰে ভুঞ্জিলোঁ অপাৰ।
ইবেলি তোমাৰ দুই চৰণে শৰণ লৈলোঁ,
দীনবন্ধু দামোদৰ এ,
নকৰিবা মোক পৰিহাৰ।"

(ঘোষা)

'সোণৰ অসম' প্রৱন্ধ বিষয়ে একাষাৰ

শ্রীযুত ক্ষেত্রধৰ বৰগোঁহাঞি, বি-এ

তৃতীয় বছৰৰ ৫ম সংখ্যা "আৱাহনত" বায়ৱাহাদুৰ শ্রীযুত আনন্দ চন্দ্র আগৰৱালা ডাঙৰীয়াৰ গভীৰ গৱেষণা আৰু স্বদেশানুৰাগৰ ভাবেৰে পৰিপূর্ণ "সোণৰ অসম" শীর্ষক এটি বিতোপন প্রৱন্ধ প্রকাশ হৈছে। বায়ৱাহাদুৰ ডাঙৰীয়াৰ মধুময় লিখনীৰ পৰা ওলোৱা অসমৰ অতীত কাহিনীয়ে অন্তৰত গৌৰৱ অনুভৱ কৰোৱাৰ লগে লগে 'অসম' শব্দৰ উৎপত্তি সম্পর্কে তেখেতৰ যুক্তি আৰু উক্তিয়ে আমাৰ মনত এটা খুকুৰি লগালে। তেখেতে লিখিছে—"ৰামটি বিণাকে নিজক "অষম" বুলিহে চিনাকি দিয়ে। উত্তৰ ব্রহ্মৰ স্যাম (?) বিণাকে নিজক 'আস্যাম' বা 'আশ্যাম' বুলি কয়। অহম বা আহোম শব্দটো অসম বা আসোম শব্দৰ অপভ্রংশ।" এই উক্তিতে প্রথম দুষ্টোঁকি কথা তেখেতে কি প্রমাণ বা অনুসন্ধানৰ ওপৰত ভৰ দি কৈ, একে উশাহতে আকৌ কি যুক্তিবে তৃতীয় ফাঁকিৰ সিদ্ধান্তত উপস্থিত হৈছে, তাক আমি বুজিব নোৱাৰিলোঁ। কেৱল অনুমানৰ ওপৰত নির্ভৰ কৰি ঐতিহাসিক তথ্য নিৰূপণ কৰিবলৈ ঘোৱাটো প্রত্নতত্ত্ব-বিধানৰ বহির্গত যেন লাগে

ত্ৰেতাযুগত লঙ্কাৰ ৰাৱনে দিগ্বিজয় কৰি ফুৰোঁতে ৰসাতলত পোৱা 'অশ্ম' নগৰখন দ্বাপৰত সৰসীৰ তলত সোমাই থাকি কলি যুগৰ খৃষ্টীয় ত্ৰয়োদশ শতাব্দীত পুনৰ কামৰূপৰ সৌমাৰ খণ্ডত জনম লৈ তেজপুৰীয়া প্ৰত্নতত্ত্ববিদ্ শ্ৰীযুত পদ্মপতি ডাঙ্গৰীয়াৰ সপোনৰ ভুমুকিত দেখা দিয়াৰ দৰে, খামটি আৰু চাম জাতিৰ মুখত উচ্চাৰিত হোৱা 'অস্বম', 'আস্বাম' আৰু 'আশ্যাম' শব্দ কেইটায়ো অসমৰ পূব সীমাত থকা অপাৰ গিৰি-বন লঙ্ঘন কৰি আহি আগৰৱালা ডাঙ্গৰীয়াৰ কল্পনা-কৰ্ণত প্ৰবেশ কৰা বুলিহে সন্দেহ হয়।

চৌখোৱা ঘাটত বেহা-বেপাৰ কৰিবলৈ অহা বহুত খামটি মানুহ সকলোৱে দেখিছে। আমিও সেই মানুহবোৰক আৰু খামটিৰ চৌনা ৰাজ বংশধৰ সকলক সদিয়াত সততে লগ পাইছোঁ। খামটি পৰ্ব্বতত বহুকাল থকা দুই এজন অহমবংশীয় লোকৰ লগতো আমাৰ বিশেষ পৰিচয় আৰু ঘনিষ্ঠতা আছে, কিন্তু কাৰো মুখত খামটিয়ে "অস্বম" বুলি চিনাকি দিয়া কথা শুনা নাই। তেওঁলোকে সদায় নিজক "টাই খামটি বুলিহে পৰিচয় দিয়ে। কোনো অহম জাতীয় মানুহে "অসম" বা 'অচম' বুলি কলে খামটিয়ে তেওঁক ঘিণহে কৰে। গতিকে খামটি দেশলৈ গলে অহম মানুহে নিজক টাই বা চাও (অৰ্থাৎ গোঁহাই) বুলি পৰিচয় দিব লগাত পৰে। এনেস্থলত আগৰৱালা ডাঙ্গৰীয়াৰ কথা ফাঁকিৰ সত্যতা আমি কেনেকৈ স্বীকাৰ কৰোঁ?

অসমত থকা বৌদ্ধ ধৰ্ম্মাৱলম্বী চামবিলাকে নিজক 'আস্বাম' বা 'আশ্যাম' আখ্যাৰে চিনাকি দিয়াটো কাৰো মুখত কোনো কালত শুনা মনত নপৰে। চামজাতিৰ ধৰ্ম্ম, আচাৰ-নীতি আদি সম্পৰ্কে আলচ কৰিবলৈ আমি এসময়ত বহুত চাম গাঁওত ফুৰিছিলোঁ। ১৮৪১ শকত দ্বিতীয় আৰু তৃতীয় সংখ্যা 'চেতনাত' এই বিষয়ে আমাৰ দীঘলীয়া প্ৰবন্ধ প্ৰকাশ হৈছিল। তদুপৰি এতিয়াও ডিব্ৰুগৰ অঞ্চলৰ জয়পুৰৰ পৰা মাৰঘেৰিটা আৰু বৰদিৰাকলৈকে চামজাতীয় মানুহ বাসকৰা ঠাইবোৰ দেখিবলৈ আৰু সেই মানুহবিলাকৰ লগত চিনা-পৰিচয় হবলৈ আমি বিশেষ সুবিধা পাইছোঁ। এই চামগাওঁবোৰত থকা বৌদ্ধমঠ (বাপুচাং) বিলাকত কেইবা গৰাকীও চামদেশীয় ভিক্ষুৰ (ৰাহাম) লগত আমাৰ দেখাসাক্ষাৎ আৰু আলাপ হৈছে। তেওলোকে সকলোৱে নিজক চাম আৰু টাই বুলি কোৱাহে শুনা যায়। "চু ফান্ আশ্যাম ন" অৰ্থাৎ তোমালোক আশ্যাম মানুহ হোৱা নে? বুলি প্ৰশ্ন কৰিলে তেওঁলোকে মুখলৈ চাই আচৰিত হৈ হাঁহে আৰু উত্তৰ দিয়ে "হাও ফান্ চাম" অৰ্থাৎ আমি চাম মানুহ।

অহম, চাম আৰু খামটি মূলতে একে জাতীয় মানুহ আছিল। চাম জাতিৰ ভিতৰত 'টাই' এটা সম্ভ্ৰান্ত ডাঙৰ পৰিয়াল। সেই দেখি প্ৰায় সকলো চাম আৰু খামটিয়ে টাই বংশৰ লগত সম্বন্ধ দেখুৱাই গৌৰৱ বোধকৰে। অসমৰ বৌদ্ধ বিলাকৰ ভিতৰত এই টাই বংশৰ চাৰিটা ডাল আছে।—(১) টাই খামটি, (২) টাই ফাকে, (৩) টাই আইতন আৰু (৭) টাই খাম্জাং। বৰ্ত্তমান আমাৰ হাতত পৰা চাম ভাষাৰ কোনো পুথিতে আস্বাম বা আশ্যাম নামেৰে জাতি এটাৰ উল্লেখ পোৱা নাই। উত্তৰ ব্ৰহ্ম দেশত হাঁতীৰ কাৰবাৰ কৰি তাত বহুত দিন থকা দুই এজন অসমীয়া মানুহেও চাম জাতিয়ে 'আশ্যাম' শব্দেৰে চিনাকি দিয়া কথা কব নোৱাৰে।

মুঠ কথা, আগৰৱালা ডাঙ্গৰীয়াৰ কাল্পনিক 'অস্বম' বা 'আস্বাম' শব্দৰ পৰা অসম দেশৰ নামটো ওলোৱা কথা ফাঁকি সম্পূৰ্ণ অমূলক আৰু অস্বাভাৱিক। ৭০০ বছৰৰ আগেয়ে সৌমাৰৰ সাতোটা ৰজাক দমাই প্ৰবল প্ৰতাপেৰে নিজৰ ৰাজ্য বিস্তাৰ কৰা টাই বংশৰ মানুহে অসম (অহম) নামটো কেনেকৈ পালে তাক সকলো বুৰঞ্জী লিখকে অহম আৰু অসমীয়া ভাষাত বৰ্ণাই গৈছে। টাই মানুহবিলাকেও ক্ৰমে নিজৰ ভাষা এৰি এই এই দেশৰ ভাষা লোৱাৰ দৰে, 'টাই', 'চাওফা' আৰু 'চাও' উপাধি এৰি নতুন দেশৰ মানুহৰ মাজত গৌৰৱেৰে প্ৰচলিত হোৱা অসম (অহম), স্বৰ্গদেও, গোঁসাই (গোঁহাই) আদি সম্মান সূচক নাম আগ্ৰহেৰে গ্ৰহণ কৰাটোৱেই ইতিহাসৰ স্বীকৃত কথা। গতিকে এই সত্যৰ পৰা আঁতৰি গৈ আনুমানিক শব্দ এটা সাজি তাৰ পৰা ঘূৰাই পকাই "অসম" শব্দটো টানি উলিয়াবলৈ যোৱাটো আগৰৱালা ডাঙ্গৰীয়াৰ অযথা প্ৰয়াস।

অসম গৌৰৱ

বা

স্বৰ্গদেও প্ৰতাপসিংহ

(আগৰ সংখ্যাৰ পাছৰ পৰা)

নাটক— —শ্ৰীযুত শৈলধৰ ৰাজখোৱা বি-এ

১ম অঙ্ক

৪ৰ্থ দৃশ্য—দিখৌৰ দাঁতি

(ৰূপহী—অকলে মালা গাঁথি গীত গায়।)

গীত

ৰূপহী— ফুলত চুমা দিলা ধুনীয়া পখিলা,
ৰঙ্গতে খেলিলে পাহি ;
কিনো কথাষাৰি কলা কাণে কাণে,
মিচিকি পেলালে হাঁহি।
সেউতী ফুলিলে মালতী ফুলিলে
ফুলিলে মাধৱী লতা,
আহোঁ বুলি উৰি নাহিলা পখিলা,
পাহৰি পেলালা কথা।
তোমাক ভাবি-চিতি শুকালে মালতী
নোৱাৰি উৰিব লগত,
যাবৰ সময়তে মাতো নলগালা,
কথাটি ৰাখিলা বুকুত।
কোনোবা দেশতে পদুমীৰ বিয়াতে
পখিলা পাতিছা বেই
আগৰ কথাখিনি পাহৰি পেলালা
পদুমীত বলিয়া হই।
(নৈত মালা উটুৱাই দি)
যোৱাঁ মালা! উটি যোৱা
দিখৌৰ বুকুত! যাৰ হেতু গাঁথিছিলোঁ
ৰবাগৈ তেওঁৰে কাষত। কবাগই—
পূৰ্ণিমাৰ জোনে অসহায় বুজি মোক
বিদ্ৰূপেহি বাৰে বাৰে আহি। নাহেনে
উলটি তেওঁ? নপৰেনে এবাৰো মনত?
সুধিবাচোঁ, থাকেমানে শৰতৰ জোন
পামনে এবাৰ দেখা? দুটি জোন একে
ঠাই কৰি ৰিজাম দুয়োকো মই।
যোৱা দেই! পাৰা যদি তোমাৰ ভাষাৰে
কৈ দিবা কথাখিনি মোৰ। পাহৰিলে?
অসম্ভৱ! পাহৰিলে যদি, কিয় টানে
প্ৰাণ মন মোৰ? সেই যে মিলন-নিশা
শত জনমৰ কত সুখ, কত দুখ,
বিচ্ছেদ, মিলন, কতনো আশাৰ কথা
সোৱঁৰালে মোক! পাৰে নে পাহৰি যাব
দুদিনতে বাৰু? অনন্তত উটি ফুৰা
আমি দুটি প্ৰাণী, বন্ধা আছোঁ প্ৰাণে প্ৰাণে
জনমে জনমে; পাৰে নে পাহৰি যাব
ইটিয়ে সিটিক?

(আখেক গোঁহাই সোমাই আহি পাছ ফালৰপৰা চকু মুদাই ধৰে।)

ৰূপহী—কোন? (খেপিয়াই চাই) আন্ধাৰ হ'ল! এটি জোন মাৰ গৈ আৰু এটি জোন ওলাব খুজিছে হবলা!

আখেক—(চকু এৰি দি) কোনটি জোন মাৰ গ'ল ৰূপহী?

ৰূপহী—আহিলা মোৰ জোনটি? মই বোলো একেবাৰে পাহৰিলে হবলা।

আথেক—তোমাক পাহৰি থাকিব পাৰিম জানো ৰূপহী ?

ৰূপহী—বাক, আজি কোনখিনিৰ পৰা আহিলে ক'চোন ?

আথেক—দিখৌমুখৰপৰা নাও লৈ উজাই আহিলোঁ। কাইলৈ পুৱা আকৌ যাব লাগব।

ৰূপহী—মোৰ মালাধাৰে তেনেহলে আপোনাক লগ নাপালে ? এতিয়াও উট গৈ আছে।

আথেক—তুমি হবলা মই পাম বুলি মালা উটুৱাই দিছিলা ? তোমাৰ মালা তেন্তে দিখৌমুখত ৰবগৈ। মই কাইলৈ পামগৈ।

ৰূপহী—আজি ইমান নৱালৈকৈ আহি কাইলৈ আকৌ কিয় যাব দেৱতা ! মই যে পূজাৰ যতন একো কৰা নাই !

আথেক—তোমাৰ নিচিনা সৰগৰ ফুল পাহি পাৰোতেনো এৰি যাওঁনে ? মই এতিয়া দিখৌমুখৰ কোঠ ৰখীয়া সেনাপতি। আজি তোমাক নৱালৈকৈ চাই যাবলৈহে আহিলোঁ।

ৰূপহী—নালাগে সেনাপতি হবগৈ। আপুনি ইয়াতে থাকক। স্বৰ্গদেওক কৈ বিদায় লৈ আহিব।

আথেক—নহয় ৰূপহী ! স্বৰ্গদেৱে এতিয়া মোক বধ অনুগ্ৰহ কৰে। চোৱাচোন আগৰ বাৰ কছাৰী ৰণত জিকাৰ বাবে এইখন সোণ ঘটোৱা তৰোৱাল উপহাৰ দিলে। তুমি আক হুদিনমান বাট চোৱাচোন, মই এই তৰোৱালৰ বলেৰে এদিন তোমাক ৰাজকুৱঁৰীৰ শাৰীত থমগৈ।

ৰূপহী—মই এতিয়াই ৰাজকুৱঁৰীৰ নিচিনা সুখী। আপোনাৰ নিচিনা স্বামী যাৰ, তাৰ নো কিহৰ অভাৰ দেৱতা ? আপুনি কাষত থাকিলে মোক স্বৰ্গও নালাগে।

আথেক—মই তোমাক এৰি নাথাকোঁ নহয়। দিখৌমুখত ঘৰ-দুৱাৰ ঠিক হলেই লৈ যামহি। তাত জোনাক নিশা নাওত উঠি ব্ৰহ্মপুত্ৰৰ বুকুত ঘুৰিবলৈ বাক তোমাৰ মন নাযায়নে ?

ৰূপহী—আপোনাৰে সৈতে কোনোবা ঠাইত জুপুৰি এটা সাজিহে মোৰ থাকিবৰ মন গৈছে। আজি কিছুমান দিনৰ পৰা মোৰ মনলৈ আহি আছে আমাৰ যেন কিবা এটা অমঙ্গল হব।

আথেক—সেইটো অমূলক আশঙ্কা মাথোন। মই নথকাত সেইবোৰ চিন্তা তোমাৰ মনলৈ আহি থাকে।

ৰূপহী—কব নোৱাৰোঁ। আজি আপোনাক লগ পাম্ৰো মোৰ মনটো থিৰ হোৱা নাই আহক ঘৰলৈ যাওঁ।

আথেক—তুমি বলাচোন, মই নাওখন আহিবলৈ বাট চাওঁ। জয়ন্তীয়া ৰাজ্যৰ পৰা তোমালৈ কিবাকিবি আনিছোঁ, মই লৈ যাম।

ৰূপহী—বাক, বেগেতে আহিব দেই। (যায়গৈ)

(ৰূপহী অলপ দূৰ গৈ আকৌ উলটি আছে।)

আথেক—আকৌ উলটিলা দেখোন ?

ৰূপহী—আপুনি মোৰ লগতে আহক। অকণো এৰি যাবৰ মন মোৰা নাই।

অথেক—মই বেগেতে যাম। তুমি যোৱাচোন, আইতাক বাতৰি দিয়াগৈ।

(ৰূপহী যায়গৈ।)

আথেক—কিহৰ অভাৱ মোৰ ? শোভিছে

গলত যাৰ তোমাহেন পাৰিজাত হাৰ,
কিহৰ অভাৱ তেওঁৰ ? তুমি মোৰ
জীৱনৰ অনন্ত গতিত দেৱতাৰ
শুভ আশীৰ্ব্বাদ। ইচ্ছা যদি কৰা তুমি,
নিবিচাৰোঁ ৰাজ অনুগ্ৰহ, নালাগে একোকে মোক।

(লাঙ্গি বেগেৰে সোমাই আছে।)

লাঙ্গি—গোহাঁইদেউ ! সৰ্ব্বনাশ হ'ল ! আপুনি শীঘ্ৰে পলাওক।

আথেক—ই কি ! লাঙ্গি তুমি বহা এৰি আহিলা কিয় ? কি হ'ল ?

লাঙ্গি—সেইবোৰ কথা পিছে শুনিব গোহাঁইদেউ। এতিয়া পলাই প্ৰাণ ৰক্ষা কৰক। স্বৰ্গদেৱে আপোনাৰ ধৰাই নিবলৈ চাওদাং বৰুৱাক পঠাইছে।

আথেক—চোৱাংচোৱা ! প্ৰাণৰ ভয়ত পলোৱা মোৰ অভ্যাস নাই। কি হ'ল, শীঘ্ৰে ক'।

লাঙ্গি—বহাত সৰ্ব্বনাশ হ'ল গোহাঁইদেউ ! আপুনি শুচি অহাৰ বাবে স্বৰ্গদেৱে আপোনাকে দোষিছে।

আথেক—কি সৰ্ব্বনাশ হ'ল ? বহা নিৰাপদ বুলি তুমি কৈছিলা নহয় ?

লাঙ্গি—মইনো কেনেকৈ জানিম গোহাঁইদেউ ! চোৱাংচোৱা যদিও মই, তেওঁ মানুহ হে ! কছাৰীনো ক'ত লুকাই আছিল গমকে নাপালোঁ। আপুনি অহা দিনা নিশাই সিহঁতে বহাগড় আক্ৰমণ কৰি আমাৰ মানুহ কাটি-মাৰি খাস্তাং কৰিলে। দুখৰ কথা কিনো কম গোহাঁইদেউ ! মোৰ জিভা কোঁচ খাই আছে ! আপোনাৰ পিতাকেকো কছাৰীয়ে কাটিলে !

আথেক—কি, পিতাক কাটিলে ! সঁচা কথা ক', চোৱাংচোৱা ! ধেমালি নকৰিবি।

লাঙ্গি—আপোনাৰ লগত ধেমালি কৰিবৰ বন্ধীৰ কি সাধ্য ! কথা সঁচা গোহাঁইদেউ !

আথেক—হায় ! মই কি কৰিলোঁ ; বৃদ্ধকালত পিতাক অকলে শত্ৰুৰ মুখত পেলাই শুচি আহিলোঁ !

লাঙ্গি—হৈ মোৰা কথা আক ভাবিলে কি হব গোহাঁইদেউ ! এতিয়াও আপুনি নিজে সাবিবৰ সময় আছে।

আথেক—কি ! দোষ কৰি ৰাজদণ্ডৰ ভয়ত পলাম ? মোৰা, মোৰ পৰা তেনে কাম হব নোৱাৰে। ৰজাৰ যি ইচ্ছা মোক দণ্ড দিয়ক।

লাঙ্গি—গোহাঁইদেৱে যেনে ভাল দেখে কৰক, মই নো আক কি কম। ৰজাই হওঁতে আমাকো সুখেৰে নেৰে। ই চোৱাংচোৱা হৈ বহাত কছাৰীৰ সধীক বাতৰি দিব নোৱাৰিলোঁ বুলি যেতিয়া শুনিব, তেতিয়া মোকো জীয়াই জীয়াই বখলিয়াব।

আথেক—ভয় নাই চোৱাংচোৱা ! তোমাৰ ওপৰত দোষাৰোপ কৰি মই নিজে সাবিবলৈ চেষ্টা নকৰোঁ। তোমাৰ কথাকে সম্পূৰ্ণ নিৰ্ভৰ কৰি শুচি অহাৰ বাবে মইহে দোষী। তোমাৰ কথা ৰজাক একো নলগাওঁ।

লাঙ্গি—সেইটো। গোহাঁইদেউৰ কৃপা ! গোহাঁইদেৱে মাৰিলে মাৰিব পাৰে, ৰাখিলে ৰাখিব পাৰে।

(চাওদাং বৰুৱা আৰু চাওদাংহঁত আহে।)

চাং বৰুৱা—গোহাঁইদেউ ! স্বৰ্গদেউৰ আদেশত আপুনি বন্দী, অস্ত্ৰ পৰিত্যাগ কৰক।

আথেক—স্বৰ্গদেউৰ আদেশ শিৰোধাৰ্য্য। ৰাজদত্ত অস্ত্ৰ আৱশ্যক হলে ৰজাৰ সমুখত ত্যাগ কৰিম।

চাং বৰুৱা—ভাল, কিন্তু বাধা দিলে বল প্ৰয়োগ কৰিবলৈ বাধ্য হম।

আথেক—তোমাৰ কোনো চিন্তা নাই, মই নিজেই যাম। লাঙ্গি ! তুমি ৰূপহী আক আইতাক এই সংবাদ দিবা।

(আথেক, চাং বৰুৱা আৰু চাওদাংহঁত যায়গৈ)

লাঙ্গি—উঃ কটা। আগেয়ে বাতৰি পালো নগলালে ! ই পলাই গৈ মুছলমানৰ লগ লোৱা হলে চিন্তাই নাছিল। হওঁতে এনেকুৱা গোঁৱাৰবোৰে ৰবকৈ মিছা কথা নকয় ; ই মোৰ কথা নলগাওঁ বুলিছে যেতিয়া নলগায়। লগালেও মোৰ জবাৰ আছে। এতিয়া ৰজাই ইয়াৰ মূৰটো ললেই লেঠা চিগে। (যায়গৈ)

৫ম দৃশ্য

নবাবৰ চ'বা। (নবাব কাছিম খাঁ, মিয়াচাহাব আৰু সত্ৰাজিতে কথা পাতি থাকে।)

নবাব—কি কলে মহাৰাজ ! প্ৰতাপসিংহই বলি-নাৰায়ণক এৰি নিদিয়ে ;

সত্ৰাজিৎ—নিদিয়ে জনাব ! তাৰ উপৰি আমাৰ দূতক আক বহুত কড়া কথা শুনাই পঠাইছে। প্ৰতাপ-সিংহই কে পঠাইছে যে আমি হেনো তেওঁক কামৰূপ এৰি দিব লাগে।

নবাব—কি আশ্চৰ্য্য ! এই পাহাৰী অসমীয়া মথাৰ ইমান সাহ ! ইহঁতে সম্ৰাট জাহাঙ্গীৰৰ লগতো ফেৰ পাতে !

মিয়াচাহাব—এইখন চয়তানৰ দেশ জনাব ! ইহঁতে বাঘ জানে সেইকাৰণে কাৰোকো পৰোৱা নকৰে।

নবাব—চামধৰা কুঠিত অসমীয়াৰ কিমান সৈন্য আছে মহাৰাজ ?

সত্ৰাজিৎ—কুঠিত বিশ হাজাৰ আছে। এতিয়া

বুঢ়াগোঁহাঞে লগত আৰু অসংখ্য সৈন্য লৈ চামধৱাৰৈলৈ আহিবলৈ সাজু হৈছে।

নৱাব—এইবাৰ সিহঁতৰ চয়তানিৰ ফল পাব। প্রতাপ-সিংহক লোৱ সজাত ভৰাই দিল্লীলৈ নপঠাওঁ মানে মোৰ হেঁপাহ নপলায়। মহাৰাজ! সেনাপতি চৈয়দ, হাকিম আৰু চৈয়দ আবাকাৰক তুৰন্তে প্রস্তুত হৈ ভৱলীমুখত আহোম ৰাজ্য আক্রমণ কৰিবলৈ আমাৰ আদেশ শুনাই দিব। আপুনি কোচ ৰণত আমাক বহুত সহায় কৰিছে। তাৰ পুৰস্কাৰ স্বৰূপে আপোনাক ওস্তাহাটী আৰু পাণ্ডুৰ থানাদাৰ পতা হব।

সজাজিৎ—হুজুৰৰ অনুগ্রহ! গোলামৰ আৰু এটা আৰ্জ্জি আছে। হুকুম হলে কব পাৰোঁ।

নৱাব—কি মহাৰাজ?

সজাজিৎ—হুজুৰ! কোচ ৰাজকন্যাক মই বিয়া কৰিবৰ মন কৰিছিলোঁ। প্রতাপসিংহই সেই ছোৱালী চুৰ কৰি নি তেওঁৰ কুঁৱৰী পাতিলেগৈ। মই প্রতাপ-সিংহৰ ওপৰত প্রতিশোধ লব খোজোঁ।

নৱাব—চুৰ কৰিলে কেনেকৈ মহাৰাজ? মই শুনিছোঁ, বিশ হাজাৰ চিপাহী পঠাই দি ছোৱালী কাঢ়ি লৈ গ'ল।

সজাজিৎ—হয় জনাব! হুজুৰৰ আশ্রয়ত এতিয়া সেই ছোৱালী মই কাঢ়ি আনিবৰ ইচ্ছা কৰোঁ।

নৱাব—ভাল কথা। আপুনি নিজ সৈন্য লৈ আমাৰ সেনাপতি হুজনক ৰণত সহায় কৰিব। আমাৰ জয় হলেই আপোনাৰ উদ্দেশ্য সিদ্ধি হব। ম'ক এতিয়া প্রস্তুত হ'কগৈ।

(চেলাম কৰি সজাজিৎ ওলাই যায়।)

নৱাব—কোন হায়?

(আবদুল্লা সোমাই আহি চেলাম দিয়ে)

নৱাব—চবাব আউৰ হাজোৱালী।

আবদুল্লা—যো হুকুম। (ওলাই যায়।)

মিয়াচাহাব—এই বন্দীবো এটা আৰ্জ্জি আছে জনাব।

নৱাব—কি মিয়াচাহাব?

মিয়াচাহাব—জনাব, হুকুম হলে বন্দী ৰণলৈ যাব পাৰোঁ।

নৱাব—তুমি গৈ কি কৰিবা? তুমি জানো ৰণ কৰিব পাৰিবা?

মিয়া—তাৰ বাহিৰে আৰু বিলকুল্ কাম কৰিব পাৰিম জনাব!

নৱাব—ৰণৰ ঠাইত আৰু কি কাম আছে?

মিয়া—মই শুনিছোঁ, কামৰূপত ভাল ভাল নাচনী আছে। সিহঁতৰ নাচ দেখিম, গান শুনিম, আৰু পাৰিলে যদি জনাবলৈ এঞ্জাক ধৰি লৈ আহিম।

নৱাব—তুমি বলে পাৰিবা জানোঁ? অসৱীয়া তিৰোতাই তৰোৱাল খেলা কথা তুমি শুনা নাইনে কি?

মিয়া—শুনিছোঁ জনাব! হাতত তৰোৱাল ধৰা জনীবতো মই ওচৰ নাচাপোঁ।

নৱাব—ছিঃ মিয়াচাহাব! তুমি ৰব ভয়াতুৰ।

মিয়া—জনাবে নিজে চাই আহিলেগৈহে বুজিব। মই শুনিছোঁ, হাতত তৰোৱাল থকা একোজনীয়ে বিদেশী মানুহ পালে সিহঁতৰ বিহাৰ আঁচলত বান্ধি থয়।

নৱাব—তুমি একেবাৰে অপদার্থ। চাবা আৰো তোমাকো কোনোবাই বান্ধি থব।

মিয়া। মোক নোৱাৰে জনাব। ৰণ কৰিবলৈ মোৱা মথাবছে বিপদ।

(মদৰ বটল লৈ আবদুল্লা আৰু হাজোৱালীহঁত সোমাই আহে। হাজোৱালীহঁতে গীত গায়, আবদুল্লাই নবাবক মদ ঢালি দিয়ে।)

গীত

হাজোৱালীহঁত—

আহাঁ আহা সখী মানিকী মউ
আমি, খেলিম লুকালুকি হল নে নউ।
মেঘৰ বিজুলী আমি মেঘত লুকাওঁ,
আকৌ ওলাই কওঁ হল নে নউ।
আমি চিকুন তৰা,
আমি নিদিওঁ ধৰা,
আমি আকউ লুকাওঁ আমি আকউ ওলাওঁ।

মেঘৰ আঁৰৰপৰা হাঁহি বিলাওঁ।
প্রাণৰ কথাটি আমি কাকো নকওঁ।

৬ষ্ঠ দৃশ্য

ভৱলীৰ দাঁতি

(আথেক অকলে)

আথেক—বিদায় জনমভূমি! তোমাৰ বুকুৰ নদ-নদী, গছ-লতা, পৰ্ব্বত-পাহাৰ, সকাৰে বিদায় মোৰ। আই তোৰ পবিত্র কোলাত, নাই ঠাই দুৰ্ভগীয়া আখেকৰ আৰু। অযোগ্য সন্তান মই তোমাৰ সেৱাত নাই আৰু অধিকাৰ মোৰ। নির্ব্বাসিত সন্তানৰ চকুলো এটুপি আছে মাৰ্গে শেষ আজি পুহা দিবলই। মোৱা আই! তাকে আজি দিওঁ চৰণত। দিয়া আশীৰ্ব্বাদ—পাওঁ যদি সময় দুনাই উদ্ধাৰিব পাৰোঁ যেন দেহা মোৰ তোমাৰ কামত। মাতৃভূমি! জনমে জনমে পাওঁ যেন ঠাই মই তোমাৰ বুকুত। বিদায় জননী! আই, ভাই, প্রাণ সখা ৰূপহীক মোৰ এবিলোঁ কোলাত তোৰ। কঠোৰ নিয়তীৰূপ ধুমুহা বতাহে মোহাৰি পেলালে মোৰ নিবাশ্রয়া আশ্রিতা লঅক, ঠাই দিবা ঘূৰি-বাৰ তোমাৰ বুকুত; মিলিম পুনৰ আমি। যাওঁ মই যেনিয়ে ছচকু যায়।

(লাঙ্গি সোমাই আছে।)

লাঙ্গি! তুমি আহিলা কিয়? মই ৰূপহীৰ ওচৰত বিদায় লবলৈকো নাপালোঁ। তেওঁক সকলো কথা কলা নে?

লাঙ্গি—বিপদৰ ওপৰতে বিপদ গোঁহাইদেউ। মই আপোনাক সাৱধান কৰি দিওঁ বুলিহে আহিলোঁ। মই কলহী আইদেউৰ ছাটোকে দেখিবলৈ নাপালোঁ।

আথেক—কিয়? ৰূপহী কলৈ গ'ল? তুমি আৰু কি বিপদৰ কথা কৈছা?

লাঙ্গি—কিনো কব গোঁহাইদেউ! আপোনাক নির্ব্বাসন দণ্ড দি ইফালে চিপাহীবে আপোনাৰ ঘৰ বেঢ়াই পেলালে। তাত পকৰা এটাও ওলাব সোমাব নোৱাৰা হ'ল।

আথেক—ৰূপহীক তেনেহলে বন্দী কৰি থৈছে? কিয়, তেওঁৰ দোষ কি?

লাঙ্গি—দোষ-গুণৰ কথানো কি কম গোঁহাইদেউ! আপুনি নিজেই বুজিব পাৰিছে দেখোন। আইদেউ কেনেবাকৈ আপোনাৰ লগতে গুচি যায় বুলিয়েই এই ব্যৱস্থা হব পায়। মই শুনোতে বঙ্গাৰ আপোনাৰ প্রাণদণ্ড কৰাবৈ উদ্দেশ্য আছিল, পাছে ডাঙৰীয়াসকলে ধৰাতকৈ নোৱাৰিলে।

আথেক—বঙ্গা হৈ তিৰোতাৰ ওপৰত অত্যাচাৰ কৰে! এই নৰাধম ৰাজপাটৰ অযোগ্য।

লাঙ্গি—এৰা গোঁহাইদেউ! এইজনা বঙ্গা পাটত থাকে মানে আৰু টোকোনা প্রজাৰ উপায়েই নাই। দুষ্টক-ঘানাকৈ শুনিছোঁ, বোলে বঙ্গাৰ হেনো ৰূপহী আইদেউৰ ওপৰত কাহানিবাবে পবা চকু।

আথেক—লাঙ্গি! মই বঙ্গাৰ এই অত্যাচাৰৰ প্রতিশোধ লম। তাৰ বাবে মোক ৰাজদ্রোহ পাপে চুব নোৱাবে। তুমি পাৰা যদি ৰূপহীক উদ্ধাৰ কৰা। মই তোমাৰ এই উপকাৰ নাপাহৰোঁ।

লাঙ্গি—মই বন্দী থাকোতে গোঁহাইদেৱে চিন্তা কৰিব নালাগে। আইদেউক উদ্ধাৰৰ উপায় কৰিম। এতিয়া গোঁহাইদেৱে কি উপায়েৰে পুনৰ দেশলৈ উলটিব পাৰে তাৰ চেষ্টা কৰকগৈ। আপুনি উলটি নাহে মানে মই আইদেউক যেনে তেনে ৰক্ষা কৰিম।

আথেক—আহিম। এই অস্ত্র হাতত লৈ এদিন পুনৰ প্রতাপসিংহৰ আগত থিয় হম। তুমি ৰূপহীক এই সম্বাদ দি তেওঁক সান্ত্বনা কৰিবা। যোৱা বন্ধু! আমি আকৌ লগ পাম।

(আথেক যায়গৈ।)

লাঙ্গি—যোৱা, তুমি এতিয়া মুছলমানৰ সহায় বিচাৰি নগৈ আৰু কলৈ যাবা? জানথন ভালকৈয়ে মেল খাইছে। এতিয়া চপাব পাৰিলেই হয়। এইবাৰ বঙ্গাহো আমাক

চিনি পাইছে। নহলেনো চোৱাংচোৱাৰ পৰা একেবাৰে নেওগ ফুকন পাতেনে ?

(যাব খোজোঁতে চেংধৱা সোমায়।)

চেংধৱা —অ, মোৰ বৰ ভাগ্য বুজিছেনে ? আপোনাক বিচাৰি আহি বাটতে লগ পালোঁহি।

লাঙ্গি—কোন তই ?

চেংধৱা—দাঁড়ি কোচা লগাই লৈ আহিছোঁ দেখি চিনিব পৰা নাই হবলা। (দাঁড়ি ওচাই) এতিয়া চিনিছেনে ? মই চেংধৱা।

লাঙ্গি—তোক দেখোন দেখা পোৱা মনত নপৰে। ক'ৰ চেংধৱা—ঠেংধৱা ওলাহি ?

চেংধৱা—এঃ ! ম'ক বুজিছেনে ? ধেমালি নকৰিব। "গাৰ বহত শাক-সেন্দুৰ, তাকে পাতে ভেকুৱা ইন্দুৰ !"

লাঙ্গি—এইটোৱে কয় কি অ' ! বলিয়ানে কি ?

চেংধৱা—অ, মোক বলিয়াহে পাতিলে ? কিয় ! আপুনি কছাৰীৰ চোৱাংচোৱা চেংধৱাক চিনি নাপায় জানো ?

লাঙ্গি—তই কছাৰীৰ চোৱাংচোৱানে ? মোৰ ওচৰত তোৰ সকাম ?

চেংধৱা—এৱা, তাকে সোধক। মোৰ আজিকালি বৰ কষ্ট বুজিছেনে ? দেশত বণ-বিগ্ৰাহো নাইকিয়া হ'ল, আমাৰো চুপইছা পোৱাৰ মুধা মৰিল। সিজনীৰ খেচ-খেচনিত থাকিব নোৱাৰি কোনো বন্ধুকে এবাৰ লগ ধৰি তাহানিৰ কথাষাৰ সোঁৱাই দিওঁগৈ। পাছে, ময়ো এভাগ নাপাম জানো ?

লাঙ্গি—হেৱ, কি তাহানিৰ কথাষাৰ ?. কিহৰ ভাগ পাবি ? মই দেখোন তোক কোনো জনমত দেখা পোৱা নাই ? কটা ! মই নেওগ ফুকন বুলি তই জনা নাইনে ? তই দেখোন সমনীয়া মাহহৰ নিচিনা মুখে মুখে চুপতি কৰহি ? তোৰ কপাল ভাল, আজি কছাৰীৰ সৈতে আমাৰ সন্ধি হৈ গ'ল। নহলে ভালকৈ এসেকা পালিহেঁতেন !

(লাঙ্গি যায়গৈ।)

চেংধৱা—আও ! ই মোৰ বহতে চুহেজাৰ মোহৰ পায়, মোৰ যহতে নেওগ ফুকন হয়, এতিয়া মোকে চিনি নোপোৱা হ'ল ! বাক ব, ময়ো এদিন চিনাকি দিম। তহঁনো কিমান পানীৰ মাছ দেখিম।

(যায়গৈ)

২য় অঙ্ক

১ম দৃশ্য

চামধৱা কোঠৰ দুৱাৰমুখ

(বাতিৰাম আৰু ভলক পৰীয়াই পৰ দি তহলি থাকে)

ভলক—বাতিয়া কাই ! কাইটৈ আমাৰ মাখৰ বিহ নহয়, গম পাইছ ?

বাতিৰাম—গম পালেনো কি হব অ' পায় ? আমাৰ এয়ে বিহ।

ভলক—গড়ৰ ভিতৰত হলে আজি সকলোৱে ভোজ-ভাত খাই বৰ বৰ ধেমালি কৰিছে পায়।

বাতিৰাম—তোৰ হবলা লোভত জিভাৰ পানী ওলাইছে।

ভলক—নহয় অ, গাটো বৰ বাইজাৰ কৰিছে; আমাৰো অলপ নধৰ জানো ?

বাতিৰাম—কি ধৰিব খুজিছনো তই ?

ভলক—মই এটেকেলি আনি থৈছোঁ নহয়। আহচোন, তাৰে অলপ ধৰোঁ। এই চুপৰ নিশাতনো কোনে গম পাব আমি কি কৰিছোঁ ?

বাতিৰাম—আও, নোৱাৰি পায় ! কেতিয়া কি হয় কি ঠিক ?

ভলক—কিটো নো হব অ' ? আমাৰ নিচিনাকৈ শোৱন-খাৱন এবি কেইটা পৰীয়াই পৰ দিছে ? তহঁৰ দেই ! মই আনো। (ভিতৰ সোমায়।)

(নিলগত কিবা এটা অহা যেন গম পাই বাতিৰামে ভুমি ভুমি চায়।)

(টেকেলি লৈ ভলক উলট আছে।)

ভলক—এইয়া আনিছোঁ। কি চাইছ তই ?

বাতিৰাম—বচোন, কিবা এটা অহা যেন গম পাইছোঁ !

ভলক—ক'ত কিটো ওলাব অ' ?, তই আক ছাঁটোৰে বাখটো যেন দেখ। আহ বহ।

(ছুয়ো বহি লাওপানী খায়।)

বাতিৰাম—আক নাখাওঁ পায় ! মোৰ আজি মনটো বৰ বেয়া লাগি আছে। কাইলৈ বিহু, মোৰ ন'বা-ছোৱালী মধাইলৈ মনত পৰিছে।

ভলক—মন বেয়া লাগিছে যদি ব, মই নাম গাওঁ, ভাল লাগিব। (বিহ নাম গায়।)

"বিধি-বিধাতা ব্ৰজস্তা পালন্তা,
জনমৰ গৰাকী আই,
চৰাই চিৰিকতি ফুৰে যোৰে পাতি,
আমাৰ যোৰ পাতোতা নাই !"

(পুনৰ লাওপানী খায়।)

বাতিৰাম—হেৱ ভলক ! আক নাখাবি, থ আক।

ভলক—ব, বিহটো এনেয়ে উৰিবনে ? হোঁ, অলপ ধৰোনে।

বাতিৰাম—মই আক নাখাওঁ পায়। (মুখ ফিৰাই বহি ভাবে।)

(পাছফালৰ পৰা মুছলমান চিপাহী মনে মনে আহি দুটামানে ভলকক আৰু দুটামানে বাতিৰামক হেঁচা মাৰি ধৰে। ভলক উটৰ নোৱাৰা হয়। বাতিৰামে হতাহতিকৈ উঠে)

বাতিৰাম—বঙ্গাল ! মৰ্—(এটাৰ মুৰত অস্ত্ৰাঘাত কৰে, চিপাহীটো পৰে। আনটোক মাৰিব খোজোঁতেই আথেক গোঁহাই আক জোনাব খাঁ সোমাই আহি বাধা দিয়ে।)

বাতিৰাম—(পাছ ফাঁহাকি) আপুনি গোঁহাইদেউ ! বঙ্গালৰ লগত দেখোন ?

আথেক—অস্ত্ৰ পৰিত্যাগ কৰ, নহলে মৰিবি।

বাতিৰাম—কাৰ আদেশত ?

আথেক—মৰ্ তেন্তে। (অস্ত্ৰাঘাত কৰে। বাতিৰাম ঘুৰে। আথেক এখন্তেক তাৰ মুখলৈ চায়।)

জোনাব খাঁ—এইটোও মৰিল গোঁহাইদেউ ! এতিয়া আমাৰ মাহহ ইয়াত থৈ যাব লাগিল।

আথেক—ইস্মাইল্ আক কৰিমবক্স থাওক। ইস্মাইল্ ! তোৰ নাম ভলক, আক কৰিমৰ নাম বাতিৰাম, মনত বাখিবি। এই দ দুটা আঁতৰত পেলাই দেগৈ। তহঁতে ইহঁত দুটাৰ পোছাক পিন্ধি ইয়াতে পৰ দি থাক। সাৱধানে থাকিবি।

ইস্মাইল্—ভাল গোঁহাইদেউ !

জোনাব খাঁ—আক কি কাম বাকী আছে গোঁহাইদেউ ?

আথেক—সৌ ধিনিতে ঘোৰা সোমাবলৈ গড় ভাঙিব লাগিব। বলা তাঁলৈ যাওঁ।

(ইস্মাইল্ আক কৰিমৰ বাহিৰে সকলো যায়গৈ।)

কৰিম—এই ভলুকা ধৰ্।

ইস্মাইল্—অ, মোৰ নাম হবলা ভলুকা ? কৈ যাওঁতেই পাহৰিলি ?

কৰিম—কি ? তোৰ নাম ভলুকা, মোৰ নাম কাতি-ৰাম নহয় ?

ইস্মাইল্—তোৰ মুখ ! তোৰ মুখত কিছুমান গোবৰ আছে বুজিছ ? মনত বাখিবি, তোৰ নাম বাতিৰাম আক মোৰ নাম ভলক।

কৰিম—অ, হয় পায় ! আহ ধৰ, এতিয়াও ইহঁতৰ জান বাহিৰ হোৱা নাই।

(ছুয়ো ফুফালে এটা শ ধৰে।)

কৰিম—ইয়া—আল্লা ! বৰ গধুৰ অ' !

ইস্মাইল—তই সৰ্ব্বনাশ কৰিবি ! অসমীয়াৰ কোনো চোৱাংচোৱা আহিলে যদি 'ইয়া আল্লা' বুলি কঁৰ তেন্তে গৰ্দ্দান উৰি যাব মনত বাখিবি !

কৰিম—নকওঁ অ' ! তই মোক ইমান বুৰ্দ্ধক পাইছনে কি ? ধৰ্।

(ছুয়ো শলে যায়গৈ।)

২য় দৃশ্য

চামধৱা কোঠত কুৱঁৰীৰ বাহৰ

(মঙ্গলময়ী কুৱঁৰী শুই থাকে।)

কুৱঁৰী—(সাৰ পাই উচাপ্ খাই উঠি) পদুমী !

(পদুমী সোমাই আহে।)

পদুমী—কি কৰ আইদেউ ? ভয় খালে নে কি ?

কুৱঁৰী—মই এটা বৰ বেয়া সপোন দেখিলোঁ পদুমী ! মোৰ বাহৰ বৰীয়া কোন আছে শীঘ্ৰে মাতি আনা।

পদ্মমী—ফুকন এতিয়া শুবগৈ পায় আইদেউ! সপোন দেখিয়েই আপুনি অস্থিৰ হৈছে দেখোন! জগাই দিমগৈ নে কি?

কুৱঁৰী—শুব কিয়? এতিয়া শুবৰ সময় নহয়। মোৰ মনে ধৰিছে মুছলমানে আজি নিশাই কোঁচ আক্ৰমণ কৰিব। শীঘ্ৰে যোৱা, জগাই দিয়াগৈ।

পদ্মমী—ভাল আইদেউ। (যায়গৈ।)

কুৱঁৰী—ই কি কথা! নাই কাৰো সাৰ-সুৰ!

প্ৰলয়ৰ ধুমুহাৰ খন্তেক আগত
নিস্তব্ধ জগত যেন নিমাত সকলো!
শুনেনে সকলো মোৰ নৈন্য সেনাপতি?
সমুখত শত্ৰুৰ বাহৰ, চেলু চাই
চোৰাংচোৰা ঘুৰিব লাগিছে, ইমানতো
গভীৰ টোপনি! আচৰিত! সঁচা যদি
স্বপ্ন মোৰ, আহোমৰ নেদেখোঁ কল্যাণ;
এই নিদ্ৰা চিৰনিদ্ৰা আহোম সেনাৰ।
কি উপায় কৰোঁ মই?

(লাঙ্গি আৰু পদ্মমী সোমাই আছে।)

লাঙ্গি—(সেৱা কৰি) আইকুৱঁৰীয়ে মোক কিয়বা মতালে?

কুৱঁৰী—কোন তুমি?

লাঙ্গি—মই আইকুৱঁৰীৰ বাহৰ বথীয়া সেনাপতি লাঙ্গি ফুকন।

কুৱঁৰী—গড়ৰ ভিতৰৰ কাৰো সাৰ-সুৰ নাই কিয়? মানুহবোৰ এটাইবোৰ শুলেনে কি?

লাঙ্গি—গড়ৰ বাহিৰে বথীয়া-পথীয়া সকলো সাৰে আছে। ভিতৰৰ মানুহবোৰে কাইলৈ বিহুৰ বাবে অলপ বং-ধেমালি কৰি এতিয়া শুইছে গৈ। গোঁহাই সকলেও বিশ্ৰাম কৰিছে।

কুৱঁৰী—এই পুৱতি নিশা মানুহবোৰ শুলেনো আৰু সাৰ পাবনে? এই নিশাই যদি মুছলমানে গড় আক্ৰমণ কৰে তেন্তে কি কৰিবা?

লাঙ্গি—মইনো কি কম মানু? ঘাই সেনাপতি সকলেহে জানে।

কুৱঁৰী—তুমি যোৱা, ঘাই সেনাপতি চাউলাই কোঁৱৰক আৰু গোঁহাইসকলক সাৱধান কৰি দিয়াগৈ। এতিয়া কোনো শুৰ নোৱাৰে।

লাঙ্গি—বিপদৰ আশঙ্কা হলে গড়ৰ বাহিৰৰ পথীয়া-বোৰে সঙ্কেত কৰিব। মই স্বৰ্গদেউৰ আদেশমতে আই-কুৱঁৰীৰ বাহৰ এৰি যাব নাপাওঁ।

কুৱঁৰী—এতিয়া তুমি মোৰ আদেশমতে চলিব লাগে, শীঘ্ৰে যোৱা।

লাঙ্গি—(মনতে) ইঃ! এই নিশাখন শোৱন-পাহন এৰি আমাৰ সেইহে কাম আছে! সেনাপতিৰ কাম সেনাপতিয়ে জানে, আমাৰ গৰজ কি? যাবলৈ কৈছে যাওঁ বাক এফাল।

কুৱঁৰী—তুমি বলা কিয়?

লাঙ্গি—মাতু! বাহৰ এৰি যাবলৈ মোৰ বৰ আশঙ্কা লাগিছে। আইকুৱঁৰীয়ে যাবলৈ কৈছে যেতিয়া যাবই লাগিব। মই আহোঁ তেন্তে।

(সেৱা কৰি যাওঁগৈ।)

কুৱঁৰী—পদ্মমী! তুমি এতিয়া শুশুবা দেই! মোৰ ওচৰতে থাকা। মোৰ মনটো বৰ চাট ফুট কৰিছে।

পদ্মমী—ভাল আইদেউ! মই লগতে থাকিম।

৩য় দৃশ্য

(চৈয়দ আবাকাৰ, সত্ৰাজিৎ আৰু মিয়াচাহাৰ সোমাই আছে।)

চৈঃ আবাকাৰ—আখেৰ আৰু জোনাব খাঁ এতিয়াও উলটি নাহিল। আমি আৰু কিমান অপেক্ষা কৰিম।

মিয়াচাহাৰ—জনাব! টোপনি ধৰিছে যদি, টোপনি ভাঙ্গিবৰ দিহা কৰিমনে?

সৈঃ আবাকাৰ—কৰা মিয়াচাহাৰ! সময়টো কটাওঁ।

মিয়া—ভাল জনাব! (ওলাই যায়।)

সত্ৰাজিৎ—আখেকক বিশ্বাস কৰা উচিত হলনে? সি বিজানি আমাৰ লগত চক্ৰান্ত কৰিছে!

চৈঃ আবাকাৰ—নহয়, ৰজাৰ লগত তাৰ বৰ শত্ৰুতা। নবাবে প্ৰমাণ পাইছে তাক বিশ্বাস কৰিবলৈ কৈছে।

অসমীয়াৰ সহায় নহলে অসম দেশ সংজে লব নোৱাৰি। আজি অতদিন ভবলী পাৰত থাপ লৈ আমি এই কথা ভালকৈ বুজিব পাৰিছোঁ।

সত্ৰাজিৎ—মোৰ কিন্তু সন্দেহ হুওচে। অকস্মাৎ তাৰ মন ঘুৰি গলে জোনাব খাঁকো বিপদত পেলাব পাৰে।

চৈঃ আবাকাৰ—জোনাব খাঁৰ লগত নৈন্য আছে। বিপদৰ আশঙ্কা হলে আত্মৰক্ষা কৰিব পাৰিব।

(এজাক নাচনী লৈ মিয়াচাহাৰ সোমাই আহে।)

মিয়া—তহঁতে ইয়াতে নাচ-গান কৰ। জনাবৰ টোপনি ভাঙ্গি দে।

(নাচনীহঁতে গীত গাই নাচে। চৈঃ আবাকাৰ আৰু সত্ৰাজিতে বহি কথা পাতে। মিয়াচাহাবে গীত শুনে।)

মিয়াচাহাৰ—(গীতৰ অন্তত) বহুত আচ্ছা! ফেৰ্ লাগাও।

(চৈয়দ হাকিম সোমাই আহে। সকলো থিয় হৈ চেলাম দিয়ে।)

চৈঃ হাকিম—ই কি? কিহৰ উৎসৱ? মিয়া! লৈ যোৱা উসৱক।

মিয়া—যো হুকুম জনাব! (মনতে) তেনেই মাটি হ'ল। মই শুবগৈহে লাগিল। (নাচনীহঁতক) এই ৰ'ল।

(নাচনীহঁতক লৈ ওলাই যায়।)

চৈঃ হাকিম—আবাকাৰ! বীৰ তুমি;
জাহাঙ্গীৰ সম্ৰাটৰ যোগ্য সেনাপতি।
এৰে মেকি কৰ্ত্তব্য তোমাৰ?

চৈঃ আবাকাৰ—সেনাপতি!
কি আদেশ মোৰ প্ৰতি?

চৈঃ হাকিম—আদেশ! কি আদেশ সম্ৰাটৰ?
পাবিশালে পালিব আদেশ? আহোমৰ
তোপৰ আগত পাৰিশালে তিষ্ঠিব খন্তেক?
ভাৰত-বিজয়ী এই মোগল বাহিনী
বাৰে বাৰে আহিল পলাই। ইমানতো
উৎসৱত মতলীয়া তুমি?

চৈঃ আবাকৰ—সেনাপতি! মিছাতে দোষিছা মোক। সৈন্য-সেনাপতি মোৰ আদেশ অপেক্ষি
ৰৈ আছে ভবলী পাৰত. আদেশিলে
তুমি, আজি নিশা আক্ৰমিব চামধৰা কোঠ।
অহা নাই আখেক উলটি। সিকাৰণে
এখন্তেক কৰিছো বিশ্ৰাম।

চৈঃ হাকিম—বিশ্ৰামৰ নাই অৱসৰ। নকৰোঁ
অপেক্ষা আৰু। আজি নিশা লব লাগে
চামধৰা কোঠ। নোৱাৰিলে নাহিম
উলটি আৰু। কি বিশ্বাস আখেকৰ?
নাহে যদি উলটি শুনাই, অপেক্ষাত
কটামনে কাল?

সত্ৰাজিৎ—সেনাপতি! অশ্বাৰোহী নহলে সহায়,
মোৰ মনে কাৰ্য্যসিদ্ধি নহয় সহজ।

চৈঃ হাকিম—জানো মই আবাকাৰ! তুৰন্তে
প্ৰস্তুত হোৱা। পাৰ কৰা অশ্বাৰোহী
নিশা থাকোঁতেই। বিহু উৎসৱত মতলীয়া
অসমীয়া আজি। সুন্দৰ সুযোগ এয়ে।
মহাৰাজ! শীঘ্ৰে য'ক নাওঁলৈ। থাকিব
প্ৰস্তুত সৱে।

(জোনাব খাঁ সোমাই আছে।)

চৈঃ হাকিম—হাবিলদাৰ! উলটিলা তুমি?
কাৰ্য্যসিদ্ধি হ'লনে তোমাৰ? আহিলনে
আখেক উলটি?

জোনাব খাঁ—আহিল জনাব! গড়ৰ পশ্চিম দুৱাৰ
অধিকাৰ কৰি তাত আমাৰ মানুহ থৈ আহিছোঁ।
এতিয়া আমি অনায়াসে যাব পাৰোঁ।

চৈঃ হাকিম—পাবা দুৱো যোগ্য পুৰস্কাৰ।
আহা ঘাওঁ, নাই আৰু ববৰ সময়।
(সকলো ওলাই যায়।)

৪র্থ দৃশ্য

ভবলীৰ দাঁতি
(আখেক অকলে)

আখেক—প্ৰতিশোধ! কাৰ ওপৰত? কাৰ ওপৰত ললোঁ আজি প্ৰতিশোধ মই?
আছেনে প্ৰতাপসিংহ ভবলী গড়ত?

নাই ! আছে মাথোঁ জাতি বন্ধু মোৰ ! আছে
আৰু অসমৰ বজাৰ কুৱঁৰী ! লক্ষ লক্ষ
অসম বীৰৰ থাকে মানে শৰীৰত তেজ,
থাকে মানে স্বাধীনতা অসম মাতৃৰ,
কাৰ সাধ্য প্ৰতাপৰ চাপিব ওচৰ ?
কাৰ ওপৰত লৰোঁ তেন্তে প্ৰতিশোধ মই ?
আজি আজি নিশা মন্ত্ৰ হৈ বিহ উৎসৱত
জ্ঞাতি, বন্ধু, ভাই মোৰ লভিছে বিশ্ৰাম ।
সপোনতো ভবা নাই কালসাপ হৈ
ময়ে যে দংশিলোঁ আজি সৰাংৰে বুকুত ।
কালনিশা পুৱাব যেতিয়া, ভৱলী
বাঞ্ছনী হব জ্ঞাতিৰ তেজেৰে ! বংশনাশ
হব মোৰ ! ৰহিব মুকুটমণি অসম মাতৃৰ !
নিৰাশ্ৰয়া অসম-কুৱঁৰী
ভূমিৰ লাহুনা কত শত্ৰুৰ হাতত !
ময়েই কাৰণ তাৰ ! চাই বম অকাতৰে
এই দৃশ্য মই ! বুৰঞ্জীৰ পাতে পাতে
তেজৰ আখৰে জিলিকিব আখেকৰ
পৈশাচিক লীলা ! উঃ নোৱাৰোঁ ভাবিব আৰু !
(মিয়াচাহাব সোমাই আহে । (

মিয়া—আদাৰ, গোঁহাইদেউ ! সেনাপতিয়ে আপোনাক মাতিছে ।

আখেক—(ভাবি ভাবি, মনতে) ৰাতিৰাম ধন্য তই !
যদিওবা ক্ষুদ্ৰ সেনা প্ৰাণ দিলি
অনায়াসে স্বদেশৰ হেতু ! জাতিদ্ৰোহী
আখেকক চিনি ললি মৃত্যুৰ কালত !
ইপুৰীত ভোগ কবি নৰক যন্ত্ৰনা,
পাম গই সিপুৰী যেতিয়া, প্ৰতিশোধ
লবি তই তাৰ !
উঃ ! মৰণতো শান্তি নাই মোৰ ! (ভাবে ।)

মিয়াচাহাব—(মনত) আৰে ! আহোমটো বলিয়া হ'ল নেকি ? (ফুটাই) শুনিছেনে গোঁহাইদেউ ! আপোনাক সেনাপতিয়ে মাতিছে ।

আখেক—কি ?

মিয়া—আপোনাক বোলো মাতিছে ।

আখেক—কিয় মাতিছে কব পাৰনে ?

মিয়া—বণলৈ যাবলৈ ।

আখেক—(মনতে) বণলৈ যাবলৈ ! কাৰ লগত বণ !
যাৰ আশ্ৰয়ত উঠিছিলোঁ কেচুৰাৰে পৰা,
যি জাতিৰ তেজ মঙহেৰে গঠিত ই
দেহা মোৰ, তাৰেই বিৰুদ্ধে বণ !
জননী, জনমভূমি ! তোৰেই বুকুত বহুৱালোঁ
তীক্ষ্ণ অসি মোৰ ! তাৰ আগে মৃত্যু মোৰ
নহ'ল কি হেতু ! হায় ! অসম জননী !
মোৰ হেতু জল বায়ু তোৰ বিষাক্ত
নহ'ল কিয় ? কিয় মোক তুলিছিলি
অমৃত ধুৱাই ?

মিয়া—(মনতে) ইয়াৰ গতি বেয়া ! আজি লাওপানী সৱহকৈ ধৰিলে হবলা । (ফুটাই) গোঁহাইদেউ ! সেনাপতিক কি কমগৈ ?

আখেক - মই পৈছোঁ, তুমি বলা ।

মিয়া—ভাল গোঁহাইদেউ (মনতে) যাওঁগৈ, কববাত কামুৰি দিব আকো । (ওলাই যায় ।)

আখেক—বহুদূৰ আওৱালোঁ । পাৰিমনে
উলটিব আৰু ? অসম্ভৱ ! আজিৰ
পুৱতি নিশা নাহে আৰু উলটি চুনাই !
একমাত্ৰ নৰকৰ দ্বাৰ আছে মাথোঁ
মুকলি এতিয়া । অথওন ভাগ্যলিপি
মোৰ । চাওঁ শেষফল তাৰ । (যাওঁগৈ ।)

(ক্ৰমশঃ)

কোচবিহাৰত পাঁচদিন

—শ্ৰীযুত হবিনাৰায়ণ দত্ত বৰুৱা

মাননীয় শ্ৰীযুক্ত গৌৰীপুৰৰ বজাবাহাদুৰৰ অনুগ্ৰহত আমি প্ৰাচীন কামৰূপৰ বিভিন্ন ঠাই ভ্ৰমিবলৈ পাওঁ ; কোচবিহাৰ-যাত্ৰা তাৰে এটা । মোৱা ১৯৩১ চনৰ জুলাই মাহত আমি তাঁলৈ গৈছিলোঁ ।

সন্ধ্যাঞ্জলি

কোচবিহাৰ ব্যৱস্থাপক সভাৰ সভ্য আৰু সাহিত্য সভাৰ সম্পাদক বয়োবৃদ্ধ ও জ্ঞানবৃদ্ধ শ্ৰদ্ধাস্পদ খাঁ চৌধাৰী আমানত উল্লা আহমদ মহাশয়ৰ যত্নত বাজঘৰৰপৰা আমাক ধৰাগিলা-খোৱা আদিৰ সুন্দৰ ব্যৱস্থা হৈছিল ; তাত আমাক যিদৰে যত্ন কৰিছিল, এই জীৱনত পাহৰিব নোৱাৰোঁ । আমি যোৱাৰ সময়ত শ্ৰদ্ধেয় খাঁ চৌধাৰী নিজে ষ্টেশ্বনলৈ আহিছিল আৰু এদিন ৰাতিপুৱা দেওৱানজীৰ লগত আমাক সাক্ষাৎ কৰাইছিল । দেওৱানজীৰ আদৰ-সাদৰ আৰু আমাৰ কাৰ্য্যৰ প্ৰতি তেওঁৰ সহানুভূতি দেখি আমি নিজক ধন্য বোধ কৰিছিলোঁ । সেই কেইদিন থাকিবলৈ এটি সুন্দৰ বাংলাঘৰ, আমাৰ সুবিধাৰ অৰ্থে দুজন চাকৰ, আৰু এজন পাচক ব্ৰাহ্মণ আমাক দিছিল । এজন নায়েৱে আমাৰ খোৱা-বোৱাৰ ব্যৱস্থাপনা লৈছিল । নায়েবজন ঢাকাৰ ব্ৰাহ্মণ ; এওঁ দিনটোৰ ভিতৰত ৪।৫ বাৰ আমাৰ সুবিধা অসুবিধাৰ সংবাদ লৈছিল, আৰু আমি থাবলৈ বহাত ওচৰত বহি গৰম আন্তৰিক ভোজন কৰোৱাৰ দৰে আমাক খুৱাইছিল ।



মধুপুৰ ধাম

মধুপুৰ দৰ্শন

দুবৰপৰা এখন আশ্ৰম যেন দেখি । চৰিত পুথিমতে দুইজনা ওক তীৰ্থপদা ঘুৰি আহি ইয়াত জিবণি লৈছিল আৰু মধু খাইছিল ; সেই কাৰণে ইয়াৰ নাম মধুপুৰ হোৱা বুলি কয় । পুৰণি কালত বৃটীৰ পো গোবিন্দ আতৈ এই থানৰ মেধি (অধিকাৰ) আছিল । ইয়াত শ্ৰীমন্ত শঙ্কৰদেৱৰ নাতি পুৰুষোত্তম, আৰু চতুৰ্ভুজ ঠাকুৰে কিছু কিছু কাল বাস কৰিছিল ; আৰু সেই কালৰ বাৰজন আতাই ইয়াত দেহ ৰক্ষা কৰিছিল । আতাসকলৰ দেহ ৰক্ষা কৰা ঠাইবোৰৰ ওপৰত বৰ্ত্তমানে সক সক একোটি টিনৰ ঘৰ কৰি চিন বান্ধিছে । ইয়াৰ উপৰি ইয়াত কীৰ্ত্তন ঘৰ, মণিকূট আৰু গুৰুগৃহ নামে তিনটি টিনৰ ডাঙৰ ঘৰ আছে । কীৰ্ত্তন ঘৰটোত পিতলৰ দুৱাৰ লগোৱা । এই ঘৰবোৰ কোচবিহাৰৰ পোহাৰ উপাধিৰএজন ভক্তই নিজ খৰচেৰে তৈয়াৰ কৰি দিছে ।

কীৰ্ত্তন ঘৰত পুব, দক্ষিণ আৰু পশ্চিম মুখে তিনিখন দুৱাৰ ; মণিকুটতো দক্ষিণ আৰু পশ্চিমে দুখন দুৱাৰ । গুৰুগৃহৰ দুৱাৰ পুবফালে । পুবফালে দুৱাৰ হোৱাৰ কাৰণ সোধাত তাত থকা ভকতে কলে—"দুইজনা গুৰু তীৰ্থৰ পৰা আহি ইয়াত পশ্চিম মুখে বহিছিল । সেই

কাৰণে ইয়াত পশ্চিম মুখেও সেৱা কৰিব পাৰি দেখি পূবফালে দুৱাৰ ৰখাৰ ব্যৱস্থা চলি আহিছে। ইয়াত সেৱাৰ বস্তু ৰাখিছে। কীৰ্ত্তন ঘৰৰ মণিকুটত চতুৰ্ভুজ নামৰ বিগ্ৰহ স্থাপিত আছে।

এই থানৰ দেৱোত্তৰ ভূমি ১৮ বিঘা। ৰজাঘৰৰপৰা বছৰে ১০৲ টকাকৈ নগদ খৰচ পায়। মধুপুৰৰ বাহিৰে আন থানে নগদ টকা নাপায় বুলি শুনিলোঁ। এই থানৰ নামত ৫০০ বিঘাৰ এটা জোত আছে। থানখন ছত্ৰশালৰ এজন উদাসীন ভকতে চলায়। আমি যোৱাৰ সময়ত এজন কমলাবাৰীৰ ডেকা ভকতো তাত আছিল। এই ভকত দুজনে আমাক বৰ স্নেহ কৰিছিল।

দামোদৰ ধাম দৰ্শন

তাৰ পিছত আমি দামোদৰ ধামলৈ যাওঁ; কোনো কোনোৱে ইয়াক দামোদৰপুৰো বোলে। এই ধাম নগৰৰ উত্তৰে প্ৰায় দুই মাইল দূৰত তোৰষা নদীৰ কাণত। ইয়াত শ্ৰীদামোদৰ প্ৰভু কিছুদিন বাস কৰিছিল, পিছতহে বৈকুণ্ঠপুৰলৈ যায়। দামোদৰগুৰুৰ প্ৰধান সেৱক বলদেৱো দামোদৰ ধামত আছিল। ধামৰ বৰ্ত্তমান অধিকাৰ শ্ৰীযুত হিৰণ্যদেৱ গোস্বামীৰ পৰা জনা যায়—মহাৰাজ উপেন্দ্ৰনাৰায়ণ ৰজাৰ দিনত ৰাজধানীত ব্ৰাহ্মণৰ প্ৰভাৱ বেছি হোৱাত বলদেৱৰ পৰবৰ্ত্তী ধামৰ গোঁসাই দামোদৰ ধামত নাথাকি বৈকুণ্ঠপুৰলৈ যায়; তেতিয়াৰ পৰা ধামৰ স্থাপিত বিগ্ৰহৰ পূজা-সেৱা তাৰ পূজাৰীয়ে চলায়, গোঁসাইসকল বৈকুণ্ঠপুৰত থাকে।*

দামোদৰ ধামৰ দক্ষিণ কাষেদি এটা জান বৈ তোৰষাত পৰিছে; এই জান আৰু তোৰষাই থানখন দক্ষিণ আৰু পশ্চিম ফালৰপৰা খহাই নিয়াত তাৰপৰা মানুহবিলাক উঠি গৈছে; আৰু তাৰ স্থাপিত বিগ্ৰহো পূজাৰী শ্ৰীযুত খড়্গনাথ চক্ৰৱৰ্ত্তীয়ে নিজৰ ঘৰলৈ নি ৰাখিছে। এওঁৰ ঘৰ টাকাগাছা গাওঁত—দামোৰধামৰ ওচৰতে। দামোদৰ ধামত এতিয়া প্ৰায় দুই বিঘামান মাটিৰ এটা ওখ ঢাপ জঙ্গল পৰি আছে; দূৰৰ পৰা সৰু টিলা পাহাৰ যেন দেখি। তোৰষা যি দৰে কাষ চাপি আহিছে বোধ কৰোঁ ২।৩ বছৰৰ ভিতৰত এই ভেটিৰ চিন নাথাকিব। ফটোগ্ৰাফাৰে হাতেৰে ছবি আঁকি দিম বুলি ফটো নললে; ছবিও আজি পৰ্য্যন্ত পোৱা নহ'ল।

ইয়াৰ স্থাপিত বিগ্ৰহৰ নাম মদনগোপাল; এই বিগ্ৰহ, শ্ৰীদামোদৰ প্ৰভুৰ পাদুকা আৰু স্নানৰ পদশিলা পূজাৰীৰ ঘৰতে আছে। এই থানৰ দেৱোত্তৰ ভূমি ২৭৫ বিঘা বুলি পূজাৰীয়ে কয়। বৈকুণ্ঠপুৰুষ গোঁসাই এই ধামৰ মালিক।

বৈকুণ্ঠপুৰ দৰ্শন

তাৰ পিছদিনা আমি বৈকুণ্ঠপুৰলৈ যাত্ৰা কৰোঁ; ই নগৰৰপৰা ছয় মাইল উত্তৰ-পূবে। বৈকুণ্ঠপুৰৰ পোৱা মাইল উত্তৰেদি বঁউতী নদী গৈছে। বঁউতী ঘৰঘৰীয়া নদীত পৰিছে; ঘৰঘৰীয়া কালজানিত, আৰু কালজানি তোৰষা নদীত পৰিছে।

বৈকুণ্ঠপুৰত শ্ৰীদামোদৰ প্ৰভু বৈকুণ্ঠ প্ৰয়াণ কৰিছিল। যি ঠাইত প্ৰভুৱে প্ৰয়াণ লাভ কৰিছিল, সেই ঠাই বঁউতী নদীয়ে ভাঙিছে। থানখন বঁউতী নদীৰ উত্তৰ পাৰে আছিল। পিছত বঁউতী থানৰ দক্ষিণে বৈ উত্তৰপাৰ কৰে, আৰু থানৰ বহুত ক্ষতি কৰে। তাকে দেখি থানখন তাৰপৰা তুলি আনি বঁউতীৰ দক্ষিণে প্ৰায় আধা মাইলমান দূৰত পাতিছে। থানৰ গৰাকী বা অধিকাৰ শ্ৰীযুত হিৰণ্যদেৱ গোস্বামী; এওঁৰ প্ৰপিতামহৰ দিনত নতুন ঠাইলৈ থানৰ সৰ্ব্বহ আনে। থানৰ সৰ্ব্বহ ৰখা অস্থায়ী কীৰ্ত্তন ঘৰৰ লগতে শ্ৰীযুক্ত অধিকাৰ গোঁসাইৰ ঘৰ লগা। থানৰ কীৰ্ত্তনঘৰ, মণিকুট আদি ভাল দৰে সজাব পৰা নাই। শ্ৰীশ্ৰীদামোদৰ প্ৰভুৰ প্ৰয়াণৰ পিছত বলদেৱ কিছুকাল ইয়াত বাস কৰিছিল। বলদেৱেও ইয়াতে দেহৰক্ষা কৰিছিল বুলি শুনিছোঁ। থানৰ স্থাপিত বিগ্ৰহৰ নাম বৈকুণ্ঠ নাথ (দ্বিভুজ)। থানৰ দেৱোত্তৰ ভূমি ২৪৭ বিঘা, ব্ৰহ্মোত্তৰ ৮ বিঘা। পূৰ্ব্বে ১৩৫, ২৪৭, ৬৪, ৫৪ বিঘাৰ চাৰিটা জোত আছিল; পিতৃসকলৰ ধাৰত বৰ্ত্তমান অধিকাৰে সেইবোৰ বিক্ৰী কৰিছে।

বৈকুণ্ঠপুৰৰ স্থাপিত বিগ্ৰহ দক্ষিণমুখী; অস্থায়ী কীৰ্ত্তন ঘৰৰ দুৱাৰ মুখ দুখন পশ্চিমে আৰু দক্ষিণে। দক্ষিণমুখী বিগ্ৰহ হোৱাৰ কাৰণ একো বুজিব নোৱাৰিলোঁ। গোঁসাইৰ শিষ্য প্ৰায় দুই হাজাৰ ঘৰ মান আছে, কিন্তু চলাব নোৱাৰা হোৱাত সি প্ৰায় হস্তান্তৰ হবলৈ ধৰিছে। বৰ্ত্তমান অধিকাৰৰ পুৰুষীনামা বিচৰাত সেই সময়ত দিব নোৱাৰিলে। ইয়াত কামৰূপৰ গোমুৰাৰ এজন পূজাৰী ব্ৰাহ্মণ থাকে। গোঁসাই ঘৰৰ চলন ফুৰণ মহাপুৰুষীয়া

* "কোচবিহাৰৰ ঐতিহাসিক বৃত্তান্তৰ পৰা জনা যায়—মহাৰাজ ৰূপনাৰায়ণৰ দিনত (১৬৯৩-১৭১৪ খ্ৰীঃ) বৰ্ত্তমান ঠাইলৈ ৰাজধানী আহে; তাৰ আগত আঠাৰকোঠা নামৰ ঠাইত ৰাজধানী আছিল। বৰ্ত্তমান ঠাইলৈ ৰাজধানী অহাত গুৰুসকলৰ থানবোৰ নগৰৰপৰা ওচৰত হয়; আগেয়ে ৰাজধানীৰ পৰা প্ৰায় ১৩।১৪ মাইল দূৰত আছিল।

মহাৰাজ উপেন্দ্ৰনাৰায়ণে ১৭১৪ খ্ৰীঃ অব্দৰ পৰা ১৭৬৩ খ্ৰীঃ অব্দলৈ ৰাজত্ব কৰিছিল। এওঁ মুৰ্ছিদাবাদ জিলাৰ সাদিখাঁৰ দিয়াৰ গোঁসাইৰ শিষ্য হয়। সম্ভৱতঃ এই সময়ত বঙালী ব্ৰাহ্মণ-গোসাঁইৰ হেঁচাত দামোদৰধামৰ গোসাঁই বৈকুণ্ঠপুৰক যাব লগা হয়

গোঁসাইৰ দৰে, আন কি কৰ্ম্মকৰ্ত্তা ব্ৰাহ্মণৰ দ্বাৰা বিগ্ৰহ স্নান পূজা কৰোৱা ও দোষযুক্ত বুলি এওঁ বিশ্বাস কৰে। অধিকাৰে আমাক ভ্ৰাতৃবৎ স্নেহ কৰিছিল আৰু নিশাটো ৰাখিবলৈ বৰ যত্ন কৰিছিল।

চতুৰ্থ দিনা আমি ভেলাডাঙ্গালৈ যাওঁ; ইয়াক স্থানীয় লোকে মেধিবাড়ী বোলে। ভেলাডাঙ্গা নগৰৰ ওচৰতে, তোৰষা পাৰ হলেই পোৱা যায়; তোৰষাৰ উত্তৰ পাৰে কোচবিহাৰ নগৰ আৰু দক্ষিণ পাৰে ভেলাডাঙ্গা। ইয়াৰ কীৰ্ত্তন ঘৰতো পকা মণিকুট নাই, গুৰুগৃহটো টিনৰ। কীৰ্ত্তন ঘৰৰ দুৱাৰ মুখ দুখন পশ্চিমে আৰু দক্ষিণে, গুৰুগৃহৰ দুৱাৰ মুখ পূবে। কীৰ্ত্তন ঘৰৰ স্থাপিত বিগ্ৰহ চতুৰ্ভুজ। এই মূৰ্ত্তি শ্ৰীশঙ্কৰ প্ৰভুৰ নাতি চতুৰ্ভুজ ঠাকুৰে স্থাপন কৰা বুলি কয়। গুৰু গৃহত দুইজনা গুৰুৰ চিহ্ন-বস্তু পৃথকে ৰখা হৈছে।

ভেলাডাঙা দৰ্শন

দেৱোত্তৰ সম্পত্তি আৰু জোত বহুতো আছে; সেই দিনা কৰ্ম্মচাৰী জন নথকাত ভূমিৰ হিচাপ দিব নোৱাৰিলে। শিষ্য বৰ্ত্তমানে আঢ়ৈশ ঘৰ মান আছে; দিনাজপুৰত পাঁচ শ ঘৰ মান শিষ্য আছিল, চলাব নোৱাৰাত সি প্ৰায় হস্তান্তৰ হ'ল।

ভেলাডাঙ্গাত ৺মাধৱ প্ৰভুৱে প্ৰয়াণ লাভ কৰিছিল; বৰ্ত্তমান থানৰ দুশ গজ মান পূব দক্ষিণে দেহ ৰক্ষা কৰিছিল। বৰ্ত্তমানে নদীয়ে খহাই নিছে। ওচৰত এজোপা নতুনকৈ কঁঠাল গছ হৈছে। ভেলাডাঙ্গাৰ থাপনাত শ্ৰীমাধৱ প্ৰভুৰ শ্ৰীহস্তাক্ষৰৰ ভাগৱত থকা বুলি কয়।

ভেলাডাঙাৰ প্ৰায় দুই মাইল উত্তৰে কাকত-কুটা; ইয়াতেই প্ৰভু শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰয়াণ লাভ কৰিছিল।

কাকত-কুটা

আগেয়ে ইয়াতো থান আৰু "হৰিহৰ" নামৰ বিগ্ৰহ স্থাপিত আছিল; তোৰষাই ইয়াক খহাই নিয়াত থান আৰু বিগ্ৰহ ও গুৰুসৰ্ব্বহ ভেলাডাঙালৈ আনে।

কাকত-কুটা বহু বছৰলৈ তোৰষাৰ বুকুত আছিল। আজি কেই বছৰমান হ'ল তাত চৰ পৰিছে আৰু ভেলাডাঙ্গাৰ গোঁসাইৰ নামত সেই চৰ পুনৰ বন্দোৱস্ত হৈছে। ভেলাডাঙাৰ গোঁসাই বংশই কেইবা পুৰুষো কাকত-কুটাৰো মালিক আছিল বুলি শুনিলোঁ। ভোলাডাঙাত থকা গোঁসাই ঘৰৰ কেইপুৰুষ মানৰ পুৰুষীনামা তলত দিয়া হ'ল :—



গোসাঁইঘৰৰ ল'ৰাকেইটি নাবালক। শ্ৰীযুক্তা ৰত্নেশ্বৰী দেৱী আৰু শ্ৰীযুক্তা সাবিত্ৰী দেৱীয়ে বৰ্ত্তমানে থান চলাইছে। শ্ৰীযুত হৰিবন্ধুক উপবীত দিছে আৰু বৰপেটাত শৰণ কৰাই নিছে। থানত কমলাবাৰীৰ পৰা যোৱা এজন উদাসীন ভকত আৰু সুন্দৰীদিয়াৰ শ্ৰীযুত অৰ্জ্জুন চন্দ্ৰ দেৱ পূজাৰী থাকি নিত্য নৈমিত্তিক ক্ৰিয়াবোৰত নাবালক কেইটিক সহায় কৰি আছে।

এই থানত থকা পূজনীয়া আই দুগৰাকী অতি স্নেহশীলা; এওঁলোকে আমাৰ প্ৰতি পুত্ৰবৎ আচৰণ কৰিছিল। শ্ৰীযুক্তা ৰত্নেশ্বৰী আইৰ দুজনা গুৰুৰ প্ৰতি অচলা ভক্তি আৰু শাস্ত্ৰত ব্যুৎপত্তি দেখি আমি মোহিত হৈছিলোঁ। এই আইগৰাকীয়ে ধৰ্ম্ম আৰু সমাজ সম্বন্ধীয় ভালে খিনি কথা আমাৰ লগত আলোচনা কৰিছিল। আমাৰ লগত আলাপ কৰোঁতে এখেতে নানা শাস্ত্ৰৰ পদ উল্লেখ কৰি কৰি কথা কৈছিল। সেই সময়ত বৰদোৱা। বৰপেটা আদিত আলাপ কৰা যেন আমাৰ বোধ হৈছিল। কোচ বিহাৰত বহা কথা আমি একে বাৰে পাহৰি গৈছিলোঁ। শুনিলোঁ এই আইগৰাকী মাজে সময়ে শিষ্য ফুৰিবও যায়।

কোচবিহাৰৰ থান কেইখন ফুৰি তাৰ গৰাকী সকলৰ লগত কথা হৈ বুজিলোঁ—বৰ্ত্তমানে সিবিলাকে মানুহৰ

থান কেই খনৰ অভাৱ অভিযোগ

অভাৱকেই বেছিকৈ অনুভৱ কৰিছে। তাৰ স্থানীয় লোকবিলাকৰ বেছি ভাগেই বঙলা ৰীতি-নীতি ভাল পায়, আমাৰ কামৰূপী ভাগৱতী ধৰ্ম্মৰ নিয়ম-প্ৰণালী পালন কৰিবলৈ কষ্ট বোধ কৰে। গৰাকীসকলৰ কথাৰ পৰা বুজিলোঁ সিবিলাকে ২।৪ জনকৈ উপযুক্ত লোকৰ শাৰীৰিক সহায় পালে ৰংপুৰ, দিনাজপুৰ আদিৰ পূৰ্ব্বৰ শিষ্যসকলক অনায়াসে উদ্ধাৰ কৰিব পাৰে, আৰু তাৰ লগতে নতুন শিষ্যও বঢ়াব পাৰে।

কোচবিহাৰত আমি সেই কেইদিন থাকি বুজিলোঁ—কোচবিহাৰ, ৰংপুৰ, জলপাইগুড়ি আদিত কামৰূপৰ

পৌৰাহিত্য আৰু ধৰ্ম্মাচাৰ্য্য

কিছুমান ব্ৰাহ্মণে পৌৰোহিত্য কৰে; আৰু নাপিত কিছুমানে ক্ষৌৰকৰ্ম্ম কৰে। কামৰূপৰ কেইজন মান গোঁসায়ে তাত কিছুমানক শৰণো কৰাইছে। কেইজন মান পৌৰোহিত্য কৰা ব্ৰাহ্মণে নিজক গোঁসাই বুলি পৰিচয় দি কিছুমানক শিষ্য কৰোৱাও শুনা যায়। কামৰূপৰ কিছুমান ব্ৰাহ্মণৰ তাত নিজৰ জোত-জমাও আছে; আৰু কেইঘৰমান ব্ৰাহ্মণ তাত স্থায়ীভাৱে বাসো কৰে।

নগৰৰ মন্দিৰবোৰৰ আৰু গৃহস্থীলোকৰ বিগ্ৰহৰ পূজাৰী আগেয়ে বেছি ভাগ কামৰূপী ব্ৰাহ্মণ আছিল; কিন্তু বৰ্ত্তমানে নাই বুলিলেই হয়। গোটেই দক্ষিণদেশী (বঙালী) আৰু পশ্চিমীয়া।



বৈকুণ্ঠপুৰ ধাম

অতি প্ৰাচীন কালৰ পৰা কোচবিহাৰৰ ব্ৰাহ্মণ-কায়স্থৰ

সামাজিক সম্বন্ধ

লগত কামৰূপৰ ব্ৰাহ্মণ-কায়স্থৰ বৈবাহিক সম্বন্ধ চলি আহিছে। কায়স্থৰ সম্বন্ধ থকা বংশবোৰৰ দুটা বংশৰ বাহিৰে বাকীবোৰ লোপ পাইছে। এই দুই বংশৰ ভিতৰত বকসীৰ বংশটো বিখ্যাত—বৰ্ত্তমানেও ৰাজঘৰত যথেষ্ট সন্মান আছে। এওঁলোকেই ৰজাৰ সলনি পূজা আদি কৰে; শোভাযাত্ৰা আদিত ৰজাৰ পাছতেই এই বকসীৰ স্থান। এওঁলোকৰ পাটুৱা-কুছি নামৰ এটা সৰু জমিদাৰী আছে। এই বকসীৰ ঘৰ পুৰুষোত্তম ঠাকুৰৰ (শ্ৰীশঙ্কৰদেৱৰ নাতি) জীউধাৰা ঠানিৰ

উজনিৰ চামগুৰি গোঁসাইৰ বংশধৰ। অতি সংক্ষেপে এওঁলোকৰ পুৰুষীনামা তলত দিলোঁ :—

পুৰুষোত্তম ঠাকুৰ
|
কন্যা কেহোপ্ৰিয়া
স্বাঃ নিৰঞ্জন গাভৰুগিৰী
|
চক্ৰপাণি (চামগুৰি সত্ৰ, মাজুলী, শিৱসাগৰ)
|
ধৰ্ম্মনাৰায়ণ
|
বংশীদাস
|
ৰঘুনাথ
|
বোধচন্দ্ৰ (ৰাঙামাটিৰ বুলচন্দ্ৰ বৰুৱাই নি কোচ ৰজাক দিয়ে।) *
ওৰফে—বলভদ্ৰদেৱ
|
মাধৱদেৱ
|
হৰিদেৱ ভাঃ ভুবনেশ্বৰী দেৱী, ৰঘুনাথ বকসীৰ ভগ্নী, কোচবিহাৰ
|
ৰতিদেৱ দ্বাৰবকসী
ভাঃ ৰত্নেশ্বৰী দেৱী, ৰামচন্দ্ৰ বৰুৱাৰ কন্যা, বাকৰিকুছি, কামৰূপ

কন্যা মহেশ্বৰী দেৱী	ৰামকুমাৰ	জীৱেন্দ্ৰ	শ্ৰীশৰৎকুমাৰ দেৱবকসী
স্বাঃ গৰ্গনাৰায়ণ চৌধাৰী	ভাঃ পৰমেশ্বৰী	ভাঃ সুকুমাৰী	ভাঃ কৃপাময়ী
খাতাবাৰী—কামৰূপ	সোণাৰাম বৰুৱাৰ কন্যা	হংসনাৰায়ণ চৌধাৰীৰ কন্যা	দেৱীপ্ৰসাদ বৰুৱাৰ কন্যা
হাল সাং কোচবিহাৰ	কামৰূপ	শুকাইকুছি, কামৰূপ	শিমলি কমলি, গোৱালপাৰা

* গৌৰীপুৰ ৰাজবংশাৱলীৰ পৰা জনা যায়—বুলচন্দ্ৰ বৰুৱা বৰ্ত্তমান গৌৰীপুৰ ৰাজবংশৰ পুৰুষ। বুলচন্দ্ৰৰ পূৰ্ব্বপুৰুষসকল কোচৰজাসকলৰ মন্ত্ৰী আছিল; গতিকে দুই বংশৰ ভিতৰত বহুকালৰ পৰা আত্মীয় ভাৱ চলিছিল। কোচবিহাৰৰ বিখ্যাত কায়স্থ মজিন্দাৰ বংশৰপৰা "ৰাকমী" হোৱা প্ৰথা চলি আহিছিল; এই সময়ত মজিন্দাৰ বংশৰ জন সংখ্যা কমি যোৱাত ৰাজাৰ অনুৰোধত বুলচন্দ্ৰ বৰুৱাই কামৰূপী গুৰুবংশৰ লাৰা বোধচন্দ্ৰক নি দিয়ে (চামগুৰীয়া গোঁসাইৰ বংশাৱলী)। যেতিয়া মজিন্দাৰ বংশৰ ৰঘুনাথ বকসী নিঃসন্তান হৈ মৰে সেই সময়ত বোধচন্দ্ৰৰ পৰিনাতি ৰতিদেৱ দ্বাৰবকসী হয়। আৰু সমস্ত দেৱোত্তৰ ভূমি লাভ কৰে (কোচবিহাৰৰ বকসীবংশাৱলী)।

এই বকসীবংশৰ এজনে বঙ্গদেশৰ মেদিনীপুৰত- বিয়া কৰিছে। এওঁৰ তিনিটি কন্যা মেদিনীপুৰত বিবাহ দিছে আৰু তিনি পুতেকৰ ভিতৰত এ পুতেকে মেদিনীপুৰত, এ পুতেকে কলিকতাত আৰু এ পুতেকে গৌৰীপুৰৰ শ্ৰীযুত চন্দ্ৰ বৰুৱাৰ কন্যাক বিবাহ কৰিছে। এইদৰে এই বংশটোও ক্ৰমে বঙালীৰ লগত মিহলি হবলৈ আৰম্ভ কৰিছে ; সম্ভৱতঃ আৰু ১২ পুৰুষমানৰ পিছত এওঁলোকক আমাৰ সমাজৰ বুলি চিনিব পৰা নহব। এওঁলোকৰ ঘৰত বৰ্ত্তমানে শিৱলিঙ্গ স্থাপিত ;—দৈনিক শিৱপূজা চলে।

কোচবিহাৰত বঙ্গীয় আত্মীয় স্বজন কিছুমান আছে ; বান্ধৱ আৰু সহধৰ্ম্মীসকল এওঁলোকৰ কিছুমানৰ কামৰূপীৰ প্ৰতি এটা আন্তৰিক আপোন ভাব আছে। ইয়াত কিছুমান আমাৰ সহধৰ্ম্মীও আছে ; এওঁলোকেও আমাক আপোন ভাবে চায়। সময়ৰ অভাৱত আমি এইসকলৰ লগত দেখা সাক্ষাৎ কৰিব নোৱাৰিলোঁ।

কোচবিহাৰ নগৰ সম্বন্ধে আমি অলপ পিছত সুধীয়া প্ৰবন্ধত উল্লেখ কৰিম।

শ্ৰীশঙ্কৰ, শ্ৰীমাধৱ ও শ্ৰীদামোদৰ প্ৰভু কামৰূপীৰ উপাস্য ত্ৰিমূৰ্ত্তিৰ মূৰ্ত্তি। এই তিনি মূৰ্ত্তিয়ে আজিও সদিয়াৰ শেষ মিলন ধামলৈ পৰা দিনাজপুৰলৈ জুৰি থকা হিন্দুৰ হৃদয়ে সেৱা হৃদয়ে বিৰাজ কৰিব ধৰিছে। তিনি মূৰ্ত্তি বিভিন্ন ঠাইত আবিৰ্ভাৱ হলেও মধ্যলীলা আৰু শেষ লীলা এক ঠাইতে অভেদ ভাৱে কবি দেখুৱাইছিল ; আৰু লীলা সামৱাৰ সময়তো তিনিও হিমাদ্ৰিলৈ দৃষ্টি কবি, একেটি স্ৰোতস্বিনী তোৰষাইদি উজাই অদৃশ্য হৈছিল। এই সকলক অনুকৰা পাৰিষদ সিদ্ধ আতাসকলেও বিহাৰকেই বৈকুণ্ঠ বুলি শেষ কাল কটাইছিল। এই-ঠাইত পণ্ডিত সাধুসকলে বাস কবি সংস্কৃত কামৰূপী ভাষাৰ গ্ৰন্থ প্ৰণাম কবিছিল। সেই উত্তৰ-পূৰ্ব্ব ভাৱতৰ ভাষা আৰু ধৰ্ম্মৰ কেন্দ্ৰ-ভূমি, শুকসকলৰ পদবেণুৰে পূত আৰু পৱিত্ৰ চিতাভস্ম লিপ্ত আৰু তোৰষাৰ কলধ্বনিৰে মুখৰিত কামৰূপীৰ দ্বিতীয় বৈকুণ্ঠলৈ সেৱা জনাই সদ্ভহতে আমি বিদায় মাগিলোঁ।

গান

—অধ্যাপক শ্ৰীযুত সূর্য্যকুমাৰ ভূঞা

প্ৰাগ্‌জ্যোতিষৰ পুৱণি প্ৰতিভা
প্ৰতিষ্ঠিত আজি প্ৰাণে,
অতীত গৌৱৰ স্মৃতিৰ সৌৰভ
বিলোৱা আবতি তানে।
নৃত্য-চাতুৰি সঙ্গীত কলা
অভিনৱ প্ৰসাধনে,
অপৰূপ-পটু কামৰূপ-বালা
চিত্ৰ-বচন কাণে।
মহা মায়াবিণী অসম ৰমণী
ভাৱত-ভাৱন্তে জানে,
মুগ্ধ দাবকা যদু-কুল-মণি
চিত্ৰলেখীৰ গানে।

বৈজ্ঞানিক জগত

উৰা জাহাজৰ ক্ৰম-বিকাশ—

নিৰ্ভয়ে নিঃসঙ্কোচে মানুহে চবাইৰ দৰে আকাশত অতি বায়ুবেগে উৰি ফুৰিব পাৰে বুলি হয়তো এসময়ত আমি হাসি কাব্যত পাওঁ। আকৌ আজিকালিৰ উৰা জাহাজ চকুৰ আগত দেখি ভাৱতৰ সেই সভ্যতাৰ যুগৰ তেনে



১৮৪২ খৃঃ এগন বেলুন *
১৮৫২ খৃঃ গিফার্ডৰ ভাপেৰে চলাব পৰা উৰা জাহাজ
১৯০৩ চনৰ স্পেনহাৰৰ উৰা জাহাজ



১৮৯৫ খৃঃ লিলিয়েনথাল গ্লাইডাৰ

যান-বাহনৰ প্ৰচলনৰ কথা কিছুমানে যদিও বিশ্বাস কবিবলৈ টান পায়, আন বহুতে আকৌ সেই বিষয়ে মুঠে দ্বিধা প্ৰকাশ নকবে। এনেকি তেওঁলোকে জ্ঞান-বিজ্ঞানত আজি পাশ্চাত্যই প্ৰাচ্যক বাট দেখুৱাব লগাত পবিলেও প্ৰাচ্যৰ সভ্যতাহে পাশ্চাত্যত পুনৰ প্ৰবৰ্ত্তিত হৈছে বুলি কয়। যি কি নহ'ক সকলো বকমৰ বিজ্ঞানতে পাশ্চাত্য জগতে ঈচাকৈ আশাতীত উৎকৰ্ষ সাধন কবিছে আৰু ফলত জগত জুৰি শিল্প-বিপ্লৱৰ সৃষ্টি হৈছে—'মেটৰিয়েলিজিম'ৰ যুগ আছিছে। বিজ্ঞানৰ সহায়েদে মানুহে প্ৰাকৃতিক পৰাজয় কবি নিজৰ সুখ সম্ভোগৰ নানা সামগ্ৰী সাজি লৈছে। বেল জাহাজ মোটৰ আদি নানা যান-বাহন উলিয়াইছে। আৰু সকলোতকৈ গৌৱৰৰ কথা হৈছে যে



১৯১০ খৃঃ জেপেলিন আৰু ১৯১৯ খৃঃ প্ৰথম আটলাণ্টিক পাৰ হোৱা উৰা জাহাজ R 34. *



১৯০৩ চনৰ 'ৰাইট ব্ৰাই-প্লেন'—প্ৰথম ভালদৰে উৰিব পৰা জাহাজ

* ওপৰত দেখুৱা জাহাজবোৰ বতাহতকৈ পাতল আছিল।

শেষত উৰি ফুৰিবৰো দিহা ওলাইছে—উৰা জাহাজ আবিষ্কাৰ হৈছে।



১৯০৫ চনৰ কোডি তৈয়াৰ কৰা 'মেন লিফ্‌টিং কাইট' বা মানুহ তোলা চিলা

আজি প্ৰায় এক শতাব্দীৰ ভিতৰতে উৰা জাহাজৰ আবিষ্কাৰে জগতত যুগান্তৰ আনিছে। কেবছৰৰ মানৰ ভিতৰতে সকলো যান-বাহনৰ সলনি উৰা জাহাজহে ব্যৱহাৰ হব বুলি আশা কৰা যায়। এনে এটি অভিনৱ আবিষ্কাৰ সঁচাকৈ কৌতুকৰ কথা। পাশ্চাত্য জগতত উৰিবৰ চেষ্টা বহু দিনৰপৰা চলি থাকিলেও উনৈশ শতিকালৈকে কোনেও কৃতকাৰ্য্য হব পৰা নাছিল। আচলকৈ উৰিবৰ প্ৰথম চেষ্টা ১৮০৮-১৮১০ খৃঃ স্যাৰ জৰ্জ্জ কেলিয়ে কৰে। তেওঁ এটা ৰোটাৰী এঞ্জিন আবিষ্কাৰ কৰিছিল কিন্তু পেট্ৰোলৰ ব্যৱহাৰ নথকাত গান পাউডাৰেৰে চলোৱাত বৰ কাৰ্য্যকৰী হৈ নুঠিল। তাৰ পিছত ১৮৪০ খৃঃত



১৯০৯ চনৰ ব্লেৰিয়টৰ প্ৰথম 'ক্ৰচ চেনেল ফ্লাইট'ত ব্যৱহাৰ কৰা 'মনোপ্লেন'



১৯১২ চনৰ ট্ৰেক্টৰ বাই-প্লেন—Arro "504k"—বৰ্ত্তমান উৰা জাহাজৰ প্ৰথম অৱস্থা

মেচাৰ্চ হেন্‌শ্যন আৰু ষ্ট্ৰীংফেলোই এটা ডাঙৰ মডেল সাজে। তাক এতিয়া চাউথ কেনচিংটনৰ মিউজিয়মত ৰখা হৈছে। বৰ্ত্তমানৰ প্ৰায় উৰা জাহাজবোৰ এই মডেল মতে সজা হয়।

ইয়াৰ পিছত ১৮৯০ আৰু ১৯০৫ খৃঃৰ ভিতৰত ইয়াৰ ক্ৰম বিকাশৰ আৰু চেষ্টা চলে আৰু জাৰ্ম্মানীৰ লিলিয়েন্থাল, ফ্ৰান্সৰ ফাৰ্ব্বাৰ, ইংলণ্ডৰ পিলচাৰ আৰু জন, আমেৰিকাৰ চেনেউট আৰু ৰাইট ভায়েক ককায়েককে আদি



১৯১২ খৃঃ ছুটী হাইড্ৰোপ্লেন

কৰি বৈজ্ঞানিকসকলে বহুখিনি কৃতকাৰ্য্য হৈছিল। এই সময়ত 'মনোপ্লেন' সাজি মানুহ নিব পৰা কৰা হয় আৰু পেট্ৰোলৰ ব্যৱহাৰ আৰম্ভ হয়। ৰাইট ভায়েক ককায়েকে ১৯০৩ চনৰ ডিচেম্বৰ মাহত সঁচাকৈ কেই গজমান ওপৰলৈ উৰিছিলেই আৰু তেওঁলোক দুজনেই পোণ প্ৰথম উৰা মানুহ আছিল।

আচলতে য়ুৰোপত ভালকৈ উৰা আৰম্ভ হয় ১৯০৯ চনৰ ৰেইম মিটিঙৰ পৰা। ইংলণ্ড, ফ্ৰান্স, জাৰ্ম্মানী আদি



১৯১১ চনৰ ইম্পিৰিয়েল এয়াৰ ওৱেৰ মানুহ অনা নিয়া উৰা জাহাজ

সকলোতে বৈজ্ঞানিকসকলে উৰিবলৈ ধৰে। তেতিয়াৰ পৰা মহা সমৰলৈকে বৰ বিশেষ পৰিবৰ্ত্তন হোৱা নাছিল।



১৯১৭ চনৰ ফ্লাইং বোট—'F 2A.'

মানুহৰ টকা পইছা সেই সময়ত হৈছিল যদিও, উৰাত বৰকৈ খৰচ কৰা হোৱা নাছিল। তথাপি ১৯১৩ চনত



১৯১৯ চনৰ আটলাণ্টিকৰ ওপৰেদি উৰা জাহাজ

এম, প্ৰিভোই (M. Prevost) ঘণ্টাত ১২০ মাইলকৈ উৰিব পাৰিছিল।

মহা সমৰৰ সময়ৰপৰা কিন্তু উৰা জাহাজৰ আশাতীত ক্ৰমোন্নতি হ'ল। সেই যুদ্ধত মানুহে ইয়াকেই প্ৰধান যুদ্ধ সামগ্ৰী কৰিছিল। সেইবাবে যেয়ে যিমান পাৰে খৰচ কৰিও তাৰ উন্নতি সাধনত লাগি পৰিছিল। কিন্তু অতি কম খৰচতে কম 'হৰ্চ পাৱাৰে'ৰে যে অতি বেগৱান উৰা জাহাজ কৰা যায় তাক যুদ্ধৰ পিছৰ পৰাহে জানিব পৰা গৈছে।

যুদ্ধৰ পিছৰ পৰাহে 'চিভিল' এভিয়েশ্যন আৰম্ভ হয় আৰু মানুহ অনা নিয়া বা ডাক পঠোৱা আদি তেতিয়াৰ



১৯১৭ খৃঃৰ 'জায়েণ্ট' নামক উৰা জাহাজ

পৰাহে হয়। যাতায়াতৰ কাৰণে যে উৰা জাহাজ ব্যৱহাৰ কৰিব পাৰি তাক প্ৰথম ৰ'চ আৰু কিথ স্মিথ নামে দুজন ভাই ককায়েকে অষ্ট্ৰেলিয়ালৈ উৰি গৈ দেখুৱাইছিল। তাৰ পিছত উৰা জাহাজেৰে মানুহ অনা নিয়া কৰা ব্যৱসায়টোৰ ইমান প্ৰচলন হব ধৰিলে যে অৱশেষত সকলো দেশৰ মাজত এই বিষয়ে বৰ প্ৰতিযোগিতা চলিব ধৰিলে। জাৰ্ম্মানী, ফ্ৰান্স, ইটালী, হলেণ্ড আৰু আমে-

ৰিকাৰ মাজত ভয়ানক অৰিয়া-অৰি চলি লাহে লাহে আকৌ উন্নত ধৰণৰ উৰা জাহাজ ওলাব ধৰিলে। এতিয়াও



১৯৩১ চনৰ 'ট্ৰফি ছি প্লেন'



১৯৩২ চনৰ "অটো গিৰো"

কোনে আটাইতকৈ বেগী জাহাজ কৰিব পাৰে তাৰ সদায় চেষ্টা চলি আহিছে। উৰা জাহাজৰ এতিয়া বৰ ডাঙৰ শব্দ হয় তাক নোহোৱা কৰিবৰ কাৰণে সম্প্ৰতি বৰ চেষ্টা চলিব লাগিছে। ইয়াৰ ক্ৰম-বিকাশৰ শেষ সীমা ক'ত তাক সহজে নিৰ্ণয় কৰা টান।

উদাসীন

প্ৰবন্ধ— —কুমাৰী দীপান্বিতা চৌধুৰী

(ক)

"নিশাৰ ঘন অন্ধকাৰৰ মাজত নিজান চন পৰা বাকৰিৰ সঙ্গহীন আৱৰণ ভেদ কৰি অকলশৰীয়া বৰাগী বাটৰুৱাৰ আতুৰতাৰ পদূলি চেৰোৱা কণ্ঠৰ পৰা ভাটিয়ালৰ সুৰ ভাহি আহিল—

মোৰ মন উদাসীন হৈ যায় ঐ,
যায় ঐ—সি যে যায় ঐ,—
মাত নাই তাৰ, বোল নাই তাৰ,
সি যে আপোনা আপুনি গুচি যায় ঐ—

চকুলোৰ টোপালৰ পৰশেৰে তিতা করুণ ভাটিয়ালৰ সুৰে মোৰ ঘৰৰ বান্ধ খাই থকা বায়ুখিনিৰ, প্ৰতি স্তৰ বেদনাৰে ভৰাই দিলে, চকুৰ পচাৰতে এই আশা জগতৰ যত দাবী-দান লুইতৰ ভটিয়নি সোঁতত পশ্চিমলৈ গুচি গ'ল, মই যে মৰতৰ মৰণশীলতাৰ মাজত আবদ্ধ, তাক পাহৰি গলোঁ। মনত উদয় হ'ল, এই অনন্ত আকাশ ব্যাপ্ত বিশাল নিস্তব্ধতা বিয়পি আছে মাথোন এই পথিক কণ্ঠৰ উদাস ব্যথাটি। কোন সেই পৰম সাধনা, কাক বিচাৰি বৰাগী পান্থৰ আত্মাটিয়ে ঘৰবাৰী এৰি অনন্ত কাল ধৰি সৌ অনন্ত ওখ আকাশৰ যোজনে যোজনে অনাই বনাই ঘূৰি ফুৰিছে? মৰতৰ কোটি কোটি কামনা বাসনা, আশা আকাঙ্ক্ষাৰ মাজত কোনটো অপৰিহাৰ্য্য পৰম পিয়াহে মানৱ চিত্তৰ অকণমানি ঢাকোনখনিৰ মাজত শুই থাকে? মাজে মাজে গভীৰ নিহপালি দিয়া দুপৰ নিশা আতুৰ পথিকৰ বুকুৰ আবৰণৰ মাজেদি নতুন আবেদন আহি মোৰ ডাং-মৰা দুৱাৰ ভেদ কৰি পাঠ-ৰত মনোযোগ তাৰ অনিশ্চিত লক্ষ্যহীন বাকৰিৰ মাজলৈ লৈ গুচি যায়—মনটোক কন্দুৱাই পেলায়।"

মোৰ ৰচনাৰ বহিত, কব নোৱাৰোঁ, কোন বন্ধুৱে মনৰ আবেগ দমাব নোৱাৰি এই কথাখিনি লিখি থৈ গ'ল। প্ৰথমতে তাৰ অৰ্থ উলিয়াব নোৱাৰি কাতিকৈ থৈ দিছিলোঁ, আজি হঠাৎ মনত পৰিল। পঢ়োতে পঢ়োতে আজি কথা কেইষাৰ যে জীৱন্ত হৈ উঠিল। প্ৰথমতে নাজানিছিলোঁ যে, ইয়াৰ সম্পদে এদিন মোৰ ওচৰত এনেকৈ আত্মপ্ৰকাশ কৰিব।

(খ)

প্ৰত্যেক কথাই যেন এই দৰে অৰ্থযুক্ত হবৰ কাৰণে এটা সময়ৰ অপেক্ষা কৰি থাকে। আকাশৰ মাজেদি কত সুৰেই নিজ গতি লৈ যাব লাগিছে, তাৰ সকলো সুৰকে একে সময়তে ধৰিব পৰা নাযায়। তাঁৰহীন 'ৰেডিও'ত এটাৰ পাছত আন এটা সুৰ আহি তাৰ আত্মপ্ৰকাশ কৰি থাকে। মোৰ 'ৰেডিও'টোক মই এটা বেলেগ সুৰেৰে বান্ধি থৈছোঁ। সহস্ৰ বিধৰ তাঁৰ বজাই চালেও মোৰ যন্ত্ৰটো নীৰৱ থাকে, কিন্তু এটা সুৰে মোৰ যন্ত্ৰত হঠাৎ ঝঙ্কাৰ তোলে। মোৰ ওচৰত কথাও ঠিক তেনে, নিতৌ কত কথা হজম কৰোঁ, পঢ়োঁ, কওঁ; কিন্তু তাৰ সকলোৱেই মোৰ মনৰ ওপৰেদি শিলত বাগৰি যোৱা নিজৰাৰ দৰে বৈ যায়, মন-শিলটোকো খয় কৰিব নোৱাৰে, অন্তৰত ঝঙ্কাৰ তুলিব নোৱাৰে, মোৰ অনুভূতিৰ স্পন্দনৰ কথাই বাণী হৈ কাৰো হিয়াত ঠাই পাব নোৱাৰে।

মোৰ প্ৰকৃতি, পাৰিপাৰ্শ্বিক জীৱনৰ অভিজ্ঞতা ইত্যাদি মিলি, অন্তৰটোক এটা বিশেষ সুৰৰ উপযোগী কৰি তোলে। যদি তেতিয়া ক'ৰবাৰ পৰা সেই সুৰ আহে, গোটেই হিয়াখন তাত কঁপি ঝঙ্কৃত হৈ উঠে, তেতিয়া যি কথাটো কওঁ, সি যেন এটি 'বিশেষ' হৈ উঠে। প্ৰকৃত কবিৰ সৃষ্টিত আৰু অনুকৰণত এয়েই পাৰ্থক্য। সঁচা—প্ৰকৃত ঋষি, মহাপুৰুষ আৰু ভণ্ডৰ সেয়েতো ইমান প্ৰভেদ। কথাটো একো গধুৰ নহয়, কথাই যি সুৰ লৈ আহে, তাৰ যি এটা অদৃশ্য বৰণ আছে, সিয়ে মনটোক আকৃষ্ট কৰি মুগ্ধ কৰে। কথাটোৰ যিটো ব্যাৱহাৰিক অৰ্থ, সি তাৰ এটা গৰিষ্ঠ অংশ মাথোন। তাৰ আচল অৰ্থ তাৰ সুৰত আৰু সেই সুৰৰ প্ৰকাশ চিত্তৰ সেই 'বিশেষ' অৱস্থাত।

পণ্ডিত সকলৰ প্ৰধান ভুল যে, তেওঁলোকে সকলো সময়তে কথা কবলৈ প্ৰস্তুত। তেওঁলোকে কথাৰ গাটোকে চেলেকি ভাবি লয় যেন, কথাটো— গোটেই বোৰ কথাই তেওঁলোকৰ হাতৰ তলুৱা। আচলতে তেনে হব নোৱাৰেও। সেই দেখি কবিক order দি কবিতা লিখোৱা হব নোৱাৰে, পয়াৰ হব পাৰে।

য'ক, কৈছিলোঁ মোৰ ৰচনাৰ বহিৰ কথা, কব নোৱাৰোঁ, কি কাৰণত আজি কথা কেইষাৰ মোৰ মনটোত বিয়পি পৰিছে।

…নগৰ এৰি প্ৰকৃতিৰ নিস্তব্ধ লীলা ভূমি এখনলৈ গৈছিলোঁ। হঠাৎ এদিন ৰাতি চাৰিও ফালে চকু ফিৰাওঁতে আকাশ নামৰ যে এটা অঠাই ৰহস্যলোক আছে, তাকেই আবিষ্কাৰ কৰি গৰ্ব্বত উথলিবলৈ ধৰিলোঁ। সেই ৰহস্যলোকৰ ফালে চাই আচৰিত হলোঁ এই ভাবি যে, কেনেকৈ মই সেই আকাশখন পাহৰি আছিলোঁ। নগৰৰ ভিতৰতেই নহয় অহা যোৱা কৰিলোঁ, কিন্তু কেনেকৈ সেই অনন্ত বিষয়-বস্তুটো মোৰ চকুত নপৰাকৈ আছিল? এনেকুৱাই হয়। চকুহাল মুকলি ৰাখিলে কি হব, মনৰ গবাক্ষ খনত যে তেতিয়া নিকপ্‌কপীয়া ডাং দিয়া আছিল; অথবা মনৰ গবাক্ষত বহি যি জনে চায়, তেওঁ আন এখন গবাক্ষত বহি আছিল, সেই দেখিয়েই আকাশখন মোৰ ওচৰত ইমান দিন মিছা বুলি বোধ হৈছিল। সেই ভাটিয়ালৰ সুৰে আজি তেনেকৈয়ে, মোৰ যি মন-গবাক্ষ অনন্ত অসীমৰ ফালে খোলা থাকি মোৰ ওচৰত অস্তিত্ব হীন হৈ আছিল, তাক সম্পূৰ্ণ উন্মুক্ত কৰি, মোৰ ফালে তাৰ মুখখন ঘূৰাই দিলে—যেন কলৰ গানৰ মুখখন। অতদিন পদূলি মুখেদি সংসাৰ-ৰাজপথৰ ততাতৈয়াৰ ফালে চাই আছিলোঁ, মন মাথোঁ সেই বাটেৰেহে যাব লাগিছিল। আজি অকস্মাৎ কেনেবাকৈ মোৰ দৃষ্টি সেই খিড়িকি খনেদি অনন্ত অসীম ব্যোমৰ ফালে পৰিল, যিফালে মোৰ জীৱন এটি সকৰুণ দীৰ্ঘনিশ্বাসৰ দৰে নক্ষত্ৰলোকৰ ফালে মিলি যাব খোজে। গোটেই জীৱন ধৰি কত যে কল্পনা-জল্পনা চলিছে তাৰ শেষ নাই। জীৱনৰ কত আদৰ্শ ৰচনা কৰিছোঁ, আপোন-পৰ সকলোকে কত কথা কৈ লোভ

লগাইছোঁ! সামাজিক, ৰাষ্ট্ৰীয়, পাৰিবাৰিক আদি কত বিধৰ আদৰ্শৰ আহ্বানেৰে কত ৰকমৰ পথৰ পৰিকল্পনাই মনটোক উদগাব লাগিছে! আজি সেই অন্ধকাৰৰ বুকুৰ পৰা ভাহি অহা ভাটিয়ালৰ উদাসীন ভাবখিনিয়ে মোৰ জ্ঞানৰ জগতখনক একেবাৰেই ক'ৰবালৈ উটুৱাই নিলে। আজি তাৰ কোনো অংশকে মই বিচাৰি পোৱা নাই। ভাবিছোঁ, আছে সৌ অনন্ত ওখ আকাশখন আৰু আছোঁ মই; ভৰিৰ তলুৱাৰপৰা পৃথিবী বোলা বস্তুটো যেন আঁতৰি মোক শূন্যলৈ আগবঢ়াই দিছে। সৌ আকাশৰ মাজৰ তৰাবোৰ নো কোন? বোধ কৰোঁ সিহঁত মোৰ দৰেই অন্ধকাৰ আকাশমাৰ্গৰ সন্ধানকামী যাত্ৰী, এটা অকণমানি পোহৰৰ চাকি লৈ কোনোবো অজান বন্ধুৰ কাৰণে খোজ দিব লাগিছে। সেই বাটকুৰি বোৱাৰ কেতিয়াবা শেষ হব জানো?

(গ)

কত দেশ-প্ৰদেশৰ বুৰঞ্জী পঢ়োঁ, কত মানুহৰ গতিমতি জানো আৰু চাওঁ। হেজাৰে হেজাৰে মানুহে এই ধৰণীৰ বুকুত যেতিয়া ঘৰ বান্ধি চিৰকালৰ কাৰণে এই ৰূপ, ৰস, গন্ধ ভোগ কৰিবলৈ ব্যস্ত, তেতিয়া সিহঁতৰ ভিতৰৰে দুই চাইটা মানুহে এই ধৰণীৰ ফালে উদাস চকুৰে চাই কাৰবাৰ সন্ধানত ওলাই গুচি গৈছে। আজি মনত পৰিল, সেই অপৰিহাৰ্য্য ভাটিয়ালৰ সুৰেও যেন ঠিক একেটা বিৰাগ ভাব মোৰ মনৰ অতৃপ্ত হৃদয়-বীণখনিত বুলাই দিলে। এক নিমিষতে ভাবিলোঁ, মিছা ধৰণীৰ আশা আকাঙ্ক্ষা, এই সংসাৰৰ কামনা, বাসনা। অৱশেষত অন্তৰৰ পৰা ধ্বনি উঠিছে, ইয়াৰে নো মই কি কৰিম, ইয়াৰ দ্বাৰা মোৰ অন্তৰৰ নিহিত পিয়াহৰ যে উপশম নহয়।

সৌবোৰ অগণিত মানুহ, যিবোৰে ক্ষন্তেকীয়া তৃপ্তিৰ আশাত মত্ত হৈ পৃথিবীৰ বুকুত লৰি-ধাপৰি ফুৰিছে, সিহঁতেই অকলে মৰীচিকাৰ পাছ লৈছে, নে লঘিষ্ঠ সংখ্যক মানুহ কেইটা, যি কেইটাই ইপাৰ এৰি সিপাৰৰ নিৰুদ্দেশ যাত্ৰাৰ ফালে যাব লাগিছে, সিহঁতে?

ইপাৰৰ মানুহবোৰক সোধোঁ, কিবা পালা জানো? এই ধৰণী, এই জীৱন, এই সুন্দৰ ৰহস্যময়, মোহিনী মায়াই মোক মুগ্ধ কৰে—মানিব লগীয়া; কিন্তু যেতিয়া তাক পৰিপূৰ্ণ ভাৱে পাব খোজোঁ, তেতিয়া ছায়াৰ দৰে সকলো মিলি যায়। সেই দেখি এই ধৰণীৰ বন্ধুসকলক সোধোঁ, কোৱাচোন ই কি মোৰ অদৃষ্টৰ নিৰ্ম্মম পৰিহাস? আৰু তোমালোকেই জানো এই ধৰণীৰ প্ৰাপ্যখিনি পাই পৰিতৃপ্ত হৈছা?

ইয়াৰ উত্তৰত কোনেও হয় নুবুলিলে, কাৰো মুখত নিশ্চিত পৰিতৃপ্তিৰ আভাস নাপালোঁ। এজনে কলে—"এই ধৰণীৰ এই জীৱনৰ অনিত্য দান সম্পৰ্কে যেনেকৈ কোনো ভ্ৰান্ত ধাৰণাও পুহি নথওঁ, তেনেকৈ নিতৌ কিবা মিছা মায়াৰেও মনটোক প্ৰলুব্ধ কৰিব নোখোজোঁ। ক্ষন্তেকৰ বুলিয়েই জানো ফুলৰ গোন্ধ কম মধুৰ? সূৰ্য্য-বিদায়ৰ ৰঙা বৰণ কি কম সুন্দৰ? মানুহৰ ভালপোৱা কি কম কামনাৰ? স্ৰষ্টাৰ সৃষ্টি আন ধৰণৰ হলেও ভাল আছিল, কিন্তু সেই সমালোচনাৰ দৰ-দামো একো নাই। এই সৃষ্টিৰ এটি পৰমাণুকো তো মই সৃষ্টি কৰিব নোৱাৰোঁ, গতিকে যি আছে তাকেই স্বীকাৰ নকৰি, বৃথা সমালোচনা কৰি কি ধন আৰ্জ্জিম? সেই দেখি মই ক্ষন্তেকক ত্যাগ কৰাৰ পক্ষপাতী নহওঁ। সেই সুন্দৰ পখীটিতো চিৰকাল মোৰ সজাত বন্ধ হৈ নাথাকে, মোৰ খিড়িকিৰ দুৱাৰেতো তাক নিতৌ দেখিবলৈ নাপাম, গতিকে তাৰ ফালে চাই মুগ্ধ নহওঁ বুলি কবৰ মূৰ্খতা মোৰ দ্বাৰা সম্ভৱ নহয়। যদি মূৰ্খতা নুবুলি বিজ্ঞতা বোলা তেন্তে সিও মোৰ নাই। পথত খোজ কাঢ়োঁতে কাঢ়োঁতে যদি দুই এক দণ্ডৰ কাৰণে কাৰবাৰ পৰিচৰ্য্যাই মোক আনন্দ দান কৰিব পাৰে, তেন্তে সি দুদিনীয়া বুলি হাত সাৱটি একাষৰীয়া হৈ গুচি যোৱাৰ উদাসীনতাকো মই বাঞ্ছনীয় বুলি নাভাবোঁ। দুখ? এৰা, পোৱাৰ যেনে আনন্দ আছে, হেৰুৱাৰো তেনে এটা বেদনা আছে, হয়। সেই দেখি মই যেনেকৈ আনন্দ বিচাৰোঁ, তেনেকৈ দুখকো ভয় কৰি নচলোঁ। জীৱনে এফালে যেনেকৈ সুখ-ভোগ কৰিবলৈ লালায়িত হৈ থাকে, তেনেকৈ দুখৰ বোজা ববলৈকো সাহসেৰে বুকু বান্ধি ৰাখে; জীৱন মানেই দেখোন দুখ সুখৰ উত্থান-

পতনৰ লীলা। মই জীৱনৰ সাহীয়াল নাৱৰীয়া, সোঁত যিমানেই চোকা হ'ক, পৰাজয় নামানো, এয়ে মোৰ প্ৰতিজ্ঞা।

(ঘ)

এই খিনি যাৰ মুখৰ পৰা শুনিছিলোঁ, তাৰ কথাত যিমান জোৰ নাথাকক, চকুত যি এটা নিৰুপায়ৰ করুণ সাঁচ দেখিছিলো, মই কোনো মতেই মনৰ পৰা মচি পেলাব নোৱাৰো। বিশেষকৈ যেতিয়া তলৰ কথাখিনি পঢ়ো তেতিয়া, যাক আমি সুখ-সম্পদ বুলি ভাবো, সেই লিখক বন্ধুটোৰ তাৰ একোৰে অসম্ভৱ নাছিল, তথাপি একোতেই তেওঁ নিজৰ চিত্তক সান্ত্বনা দিব পৰা নাই। সেই দেখিয়েই তেওঁ এদিন সকলো পৰিহাৰ কৰি পাহাৰৰ নিৰ্জ্জনতাৰ মাজত আশ্ৰয় লৈছিল। যি জ্বালাময় অতৃপ্তি, যি প্ৰচণ্ড বেদনাই তেওঁৰ ওচৰত জীৱ সমাগম বিষৰ তুল্য কৰি তুলিছিল, পৰিপূৰ্ণ 'পোৱা'ৰ যি কামনাই তেওঁক সদায় উৎকণ্ঠিত কৰি ৰাখিছিল, তাৰ বাতৰি আনে নাজানিলেও মই জানো। তেওঁৰ মানসিক অৱস্থা বহুত কালৰ পিছত জানিছিলোঁ, এইদৰে—

"আগেয়ে মোক তুমি যি অৱস্থাত দেখিছিলা, আজিও বোধ কৰোঁ সেই দৰেই মনত ৰাখিছা। সিদিনা মোৰ যি ব্যথা তুমি লক্ষ্য কৰিছিলা, সেই ব্যথাৰ যে সঁচাকৈয়ে অপূৰ্ব্ব অৱসান ঘটিছে তাক বোধ কৰো তুমি বিশ্বাস কৰিব নোৱাৰিবা। কিন্তু বিশ্বাস কৰিবা, মই আজি পৰিপূৰ্ণ শান্তিৰ অধিকাৰী হৈছোঁ। যাক বিচাৰি হাবাথুৰি খাই ফুৰিছিলোঁ, অথচ একো উপায় মই বিচাৰি নাপাইছিলোঁ, তাক আজি মই লাভ কৰিছোঁ। ইয়াক খন্তেকীয়া ভুল বুলি ধৰি তুমিও ভুল নকৰিবা। মানসিক ভ্ৰমৰ অতি ওখ জগতত সি সত্য আৰু শান্তিৰ বাসস্থান, তাৰ লগত এবাৰ মান মাথোঁ সাক্ষাৎ হলে, সঁচাকৈয়ে সকলো সংশয় ছেদ্‌ভেদ্ হৈ যায়। মই তোমাক দেখিছোঁ। তোমাৰ ওচৰৰ সংসাৰৰ লীলাখেলা এতিয়াও সচা যেন প্ৰতীয়মান হয়। এদিন দুখৰ ঘাত-প্ৰতিঘাতত তুমি যেতিয়া সংসাৰৰ ওপৰত বিমুখৰ ভাও ধৰি সচাকৈয়ে বিমুখ হবলৈ বাধ্য হবা, সেইদিনা এই পথৰ সন্ধানৰ সহাঁৰি লৈ মই তোমাৰ ওচৰত উপস্থিত হব পাৰোঁ। মনত ৰাখি চাবা, মিছা নে সচাঁ।..."

...এইবোৰ অকল এজনৰ কথা হোৱা হলে পচোৱাত উৰুৱাই দিলোহেঁতেন; কিন্তু সেই পথত যিবোৰে খোঁজ দিছে, সিহঁত কম হলেও তো সকলোৱেই 'নিৰুদ্দেশ' নাম পোৱা নাই। কত বৰাগী সাধকে সংসাৰৰ পথ এৰি সেই পথ ধৰি গৈ উলটি কৈছেহি, সেই পথটো মায়া নহয়, দুঃখ-কাতৰ ক্লিষ্ট জনৰ মাথো সপোন নহয়। তেওঁলোকে কৈছে, সংসাৰৰ আৰু এটা 'মই'ৰ কথা, যি 'মই' মুক্ত, দীপ্ত, যাক সাংসাৰিক দুখ-সুখৰ বান্ধোনে জৰ্জ্জৰিত কৰিব নোৱাৰে। সেই ময়েই—

এইটো মই, নহয় সেইটো মই,
আপোনাৰ মাজতে আপুনি ৰই,
যোৱা নাই ভাহি মৰণ তৰণী বাই;
—মুক্ত মই, দীপ্ত মই,
শান্ত মই, তৃপ্ত মই
তাৰেই ফালে আছোঁ সদায় চাই।

(ঙ)

মোৰ 'মই'তো, শান্ত নহয়, দীপ্ত নহয়, তৃপ্ত হবই নোৱাৰে। আজি অসীম আকাশৰ কোলাৰপৰা যেন সেই পৰিচিত সুৰটি আহি মোক উদাসীন কৰি তুলিছে। দৈনন্দিন অনুভূতিৰে যাক যি পাব লগা মূল্য দি আহিছোঁ, সি আজি মোৰ চকুত একেবাৰে মূল্যহীন। আজি জীৱনৰ এই পোহাৰখন মেলি লৈ কেৱল তাৰ ফালে দৃষ্টি হানি মোৰ চিত্তটোৱে কৈছে—মই ইয়াক ক'ত লগাম?—ক'ত লগাম?

আজি অকালতে আপোন বোজাটি দুৰ্ব্বহ হৈ উঠিছে। নাজানো, নিচিনো, তথাপি কোন দেৱতাৰ সন্ধান মোক লাগে, যাৰ অবিহনে আজি আৰু দিন নাযায়? নিজৰ যিবোৰ দাবীৰ ভবিষ্যৎ ভৰালটো মুকলি কৰি লৈ সসীম ঘাট চাপিবৰ কাৰণে নাও বাবলৈ মাথোঁ আৰম্ভ কৰিছোঁ, আজি সেই নিজকেই কোন ঠাইত নিবেদন কৰি শেষ কৰিব খোজোঁ?

আজি এই অন্ধকাৰ আৰু সৌ ভাটিয়ালৰ সুৰে অনন্তৰ কোন ধন ছৰাৰ মুকালি দিলে? কাৰ সকৰণ নিবেদনে মৰতৰ এই মানৱ চিত্তটোক বিয়াকুল কবি তুলিলে? ইপাৰৰ কাক আৰু কেনে মানুহক সিপাৰৰ কোন মানুহে এইদৰে আৱাহন কৰে? মাজত গভীৰ গহন অন্ধকাৰৰ নিজৰা সোঁ সোঁ কৈ বৰ লাগিছে, আৰু তাবেই ওপৰেদি উদাসীৰ দৃষ্টি সিপাৰৰ ফালে গৈছে। ক্ষণেকে ভাবোঁ, কাৰবাৰ দুটি পৰিচিত চলচলীয়া কৰুণ চকু মোৰ চকুত পৰিছে, ক্ষণেকে ভাবোঁ, ই চকুৰ ছাট মাৰ্থৌ। বহুত দিনৰ পূৰ্ব্বে মোৰ বন্ধুকো এইদৰে অজান ডাক দিছিল, এনেকৈয়ে জানো সকলো মানুহৰে বুকুটেই অনির্দ্দিষ্ট পথৰ আহ্বান আহি পৰে?

ই কিহৰ আহ্বান? কোনে মাতে? সময়ৰ বঞ্চিতা ৰাধি মাতিলেও সান্ত্বনা আছিল, কিন্তু মোৰ যে আজিও এনে আহ্বান পাবৰ সময় হোৱা নাই! বৰাগী অন্তৰীয়ে আজি কি অতৃপ্ত সার্থকতাৰ নৈৰাশ্যত কান্দি উঠিছে? অঘৰী মানৱ-আত্মাই কোন সংচৰ বিচাৰি কলৈ যায়? কোন পথেৰে তাৰ যাত্রা?

উন্মাদিনী

কবিতা— —শ্রীযুত অতুলচন্দ্র হাজাৰিকা বি-এ

যমুনালৈ যাওঁ সখি, যমুনালৈ যাওঁ
পানী অনা ছেলু মাৰ্থৌ কলীয়াক চাওঁ।
নাজানো কি সুখ তাত সেই চাৰনিত
নাজানো কি সুৰ বদ্ধা সেই মুৰলীত!
নাজানো শকতি কেনে সেই হাঁহিটিৰ
নামে স্বৰগপৰা মন্দাকিনী-নীৰ।
ফুলে শত পাৰিজাত নন্দন-বনত
উৰে যত কদমৰ বেণু বতাহত।
কলহ নমাই থই যমুনা পাৰত
চাই থাকোঁ একেৰাহে তন্ময় ভাৱত।
কিযে সি অপূর্ব্ব ৰূপ বিশ্ববিমোহন
চাওঁ মানে চাবলই বিয়াকুল মন।
মইতো সামান্য নাৰী সিজনাৰ বশ
ত্রিভুৱনে শুদ্ধ চিতে গায় গীতি-যশ।

বীণা

গল্প— —শ্রীযুত মুনীন্দ্র চন্দ্র বৰকটকী

বীণা মৰিল—শুনিলোঁ। মোৰ প্রাণৰ বীণা—মোৰ জীৱন মৰণৰ আধাৰনা বীণা.....তাই গ'ল, মোক এৰি গ'ল। কব নোৱাৰোঁ—কিয়? কি দোষ মই তাইৰ ওচৰত কৰিলোঁ—ককায়েকৰ তপ্ত নিশাসৰ পৰপাৰত কিবা অপৰাধত মই হলোঁ অপৰাধী! মই চকুৰ পানীত ভাহিম, তাকে চাবলৈকে কিজানি বীণাৰ এই নিষ্ঠুৰতা... ভগৱানৰ লগত ফন্দী কৰিছিল তাই মোক এৰিবলৈ!...

মনত পৰে, বীণাৰ সেই কথাবোৰ, সেই অনুৰোধবোৰ। জীৱনৰ কোনোদিনেই তাই বাদ দিলেদে মোৰ কাৰণে। --কিজানি দাদাৰ মন যুৰে!—কিমান কাতৰভাবে তাই মোক অনুৰোধ কৰিছিল—"দাদা! বহুমূলীয়া তোমাৰ এই জীৱনটো অসীমত পেলাই নিদিবা! জীৱন তোমাৰ বহুতো সাধনাৰ ফল। সুখী হবা দাদা—তোমাৰ জীৱনৰ সুধা অমৃত হৈ উঠিব; দাদা, তুমি বিয়া কৰোৱা।"

বিয়া কৰাব লাগে মই!—বীণা, পাগলৰ প্রলাপ শুনিও যদি অলপ বিশ্বাস কৰিলোহেঁতেন, তেওঁ নকৰোঁ এই কথা ছুটাত! মৰু সীমাহীন শুনাতা; বিয়া কি তাতকৈও শ্রেষ্ঠ!...সেই একেটা তোৰ অনুৰোধ! ক্ষমা কৰিবি বীণা—নোৱাৰিলোঁ বাখিব!

* * * *

কিয় বীণা—মোৰ জীৱনৰ ওপৰত তোৰ ইমান শ্রদ্ধা কিয়? মই তোৰ কোন আছিলোঁ? বীণা, তথাপিতো এদিনো তোক পৰ যেন নাভাগিছিল!—আছিল তোৰ সেই স্নিগ্ধ কমনীয়তা-সনা মুখখন—সেই অনাবিল হাঁহিবে ভৰা মুখখন!

প্রভাই তেতিয়া চিৰকালৰ কাৰণে মোক এৰি গ'ল, আপোন মোৰ থাকিল বীণা। কোন অতীতৰ বিস্মৃত মুহূর্ত্তত তাই মোক চিনি পালে কব নোৱাৰোঁ—তথাপি যেতিয়া চাওঁ ভবিষ্যতলৈ, দেখোঁ, শেষ নাই—অসীম—এই চিনাকী।

নিষ্ঠুৰ ভগৱান—তাইকো কাঢ়ি নিলে। কিয়? মই তাইৰ কি কৰিছিলোঁ? অনাত্মীয়া বীণা—প্রভাৰ মৰণৰ লগে লগে মোৰ আত্মীয়া হৈ আহিল—তথাপিতো এদিনো কব নোৱাৰিলোঁ বীণাক। কিয়?—প্রভাৰ মৃত্যুৱ পিছত বীণাই মোৰ জীৱনৰ এই ক্ষীণ প্রদীপটোৰ আলোকৰ পৰশ পালে কিয়?...

বীণা, তই মোক চিনিব নোৱাৰিলি কিয়? ভাবিছিলোঁ —বীণাই মোক চিনি পাব, তাইৰ সেই 'দাদা' 'দাদা' বোলাৰ ভিতৰেদিয়েই কি বুলি চিনি পাব তাই!...তাইৰ... বুলি! উস্! কব নোৱাৰোঁ, মুখত নোলায়। জীৱনৰ পৰপাৰৰ পৰাও কিজানি তাই শুনিব—দাদাই তাইক এইদৰে কৈছে। কিজানি ভাবিব—কিজুনি কব—"ছিঃ দাদা, তোমাৰ ইমান দুর্ব্বলতা!".....কি কৰিম তেতিয়া? বীণা.....তাই মোৰ কোন.....কিয়? তাইৰ পৰাও এনে শুনিম মই?

মই আছিলোঁ তাইৰ দাদা! কিয়—কোন বান্ধোনৰ মাজেদি মই তাইৰ দাদা আছিলোঁ? দাদা হবলৈ মোৰ ক্ষমতা ক'ত...বীণা! মোৰ ভনী বীণা!...নাই, কবলৈ নোৱাৰোঁ বীণা মোৰ ভনীতো নাছিল; কেনেকৈ তাই মোৰ ভনী হব? চিনি নাপাওঁ—নাজানো—তাই মোৰ ভনী হ'ল কেনেকৈ? ভনী তাই নহয়, তাই মোৰ.....।—আকৌ দেখোঁ কব নোৱাৰোঁ! কিয় তাই জানো মোৰ কোনোৱেই নাছিল!—ইমান দিনৰ আত্মীয় তাই, কত বছৰৰ সুখ-শোকৰ তাই ভাগী—তাই মোৰ

কোনো নহয় বুলিম কেনেকৈ? ছিঃ—ইমান দিনৰ ঘনিষ্ঠতাৰ মুৰত এইদৰে নিষ্ঠুৰতা কৰা—এনে স্বাৰ্থপৰতা মই তো কৰিব নোৱাৰোঁ।

তেনেহলে বীণা মোৰ কোনোছেই নাছিল—বীণা আছিল মোৰ মক দগ্ধ জীৱনৰ স্নিগ্ধতাৰ বাণী।

মৃত্যুৰ পৰপাৰতো বীণা—তই আজিও চাইছ তোৰ দাদাৰক। দাদা—কিয় মই তোৰ দাদা হম? তথাপি জীৱনত তই মোক দাদাকে বুলি গলি। বাঃ, যা—হয়তো তোৰ প্ৰাণ থকা জীৱনটোত মই দাদাই আছিলোঁ। কিন্তু আজি! তোৰ প্ৰাণ-শূন্য আত্মাটোৰ মই কোন—দাদা নে আৰু কোনোবা? দাদা নহওঁ নিশ্চয়—মৃত্যুৰ পিছত মই আজি তোৰ কোন—কোনে কৰ বীণা? তই—তই, কি বুলিবি মোক?...দাদা বুলিবিনে আন কিবা? ব'ক মৃত্যুৰ পিছত মোৰ নীচতা দেখি তই হয়তো মোক ঘিণ কৰিবি—হয়তো ভাবিবি, "দাদা, তোমাক 'দাদা' বোলাৰ সাৰ্থকতা কিয় নষ্ট কৰা?" কিন্তু মই...মইতো ভনী বুলি তোক লব নোৱাৰোঁ?

* * * *

জীৱনৰ ঋণ মোৰ শোধ নহ'ল। দাদা বুলিও তোৰ ওচৰত মোৰ কৰ্ত্তব্য কৰিব নোৱাৰিলোঁ মই! মোৰ এই উদাস জীৱনটোৰ ওপৰত কি গভীৰ শ্ৰদ্ধা তই কৰিছিলি—তাৰ প্ৰতিদান মই তোক দিব নোৱাৰিলোঁ। তাতকৈও যেন কিবা ডাঙৰ ঋণ মোৰ আছে বীণা! কোনে কব? কোনে জানে? জানে মাত্ৰ মোৰ প্ৰাণৰ ব্যৰ্থ জুমুনীয়াহ বোৰে। সিঁহতে মোক চিনি পায় হাড়ে হাড়ে।

ভাবিছিলোঁ—মৰণৰ আগে-আগে তোক জাননী দিম, তোক জনাই থম—পলাশ তোৰ দাদা নাছিল, সি আছিল তোৰ...। নকওঁ—মুখত নোগায়! কিজানি মৃত্যুৰ পিছতো তই শুন! তেতিয়া তই মোক কি বুলি ভাবিবি? দাদা তোৰ! ইমান নীচ!.....নোৱাৰোঁ মই, মোৰ গৰ্ব্বিত পৰিচয় এবি তোৰ আগত মোৰ স্বৰূপ প্ৰকাশ কৰি দিব নোৱাৰোঁ।

কিজানি মহে ভুল কৰিছোঁ—কোনে জানে? তই কিজানি তাকে বিচাৰিছিলি—তয়ো কিজানি ভাবিছিলি—পলাশ মোৰ দাদা নহয়—পলাশ মোৰ জীৱনৰ···।

উস!—অব্যক্ত যন্ত্ৰণা। তোৰ যন্ত্ৰণা বল অব্যক্ত—মোৰো বল অব্যক্ত।

বীণা—গলি গৈ তই, যা! বাধা মই নিদিলোঁ। তোৰে মোৰে এই যে পৰিচয়—এই যে অব্যক্ত তোৰে মোৰ সম্বন্ধ—থ'ক, শুণ্ড হৈ থ'ক। কোনেও নাজানে তই মোৰ কোন মই তোৰ কোন! জানিম মাৰো মই—আৰু তই! কব মোৱাৰোঁ—তই কি বুলি জানিবি! তোৰ লগত মোৰ দেখা হব—বাতিৰ আকাশৰ তৰাবোৰৰ মাজেদি। তই আহিবি তৰাবোৰে—মই তোক তৰা বুলি মাতিম। কিমান স্নিগ্ধ হয় এই সম্বন্ধ—আকাশৰ তৰাহৈ তই মোক মাতিবি!.....

জীৱনৰ এই অপৰূপ সম্বন্ধ...অব্যক্ত মিলনৰ সীমাহীন সৌন্দৰ্য্য!...



মোৰ সোঁৱৰণী

(আগৰ সংখ্যাৰ পৃষ্ঠাৰ পৰা)

—ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোঁহাই বকৰা

তেজপুৰ-যাত্ৰা।—গৃহিণীক ঘৰত থৈ মই অকলে চাকৰ এটাৰে সৈতে তেজপুৰলৈ যাত্ৰা কৰি পিচদিনা আবেলি উলটি কমলাবাৰী ঘাট পালোঁহি। ঘাট পাই, হতাশৰ বিষম খুন্দা এটা সহিব লগাত পৰিলোঁ,—মহো ঘাট পাইছোঁগৈ, জাহাজেও উকি মাৰি এবাই আঁতৰি ওচি গ'ল! মই হতাশত শেঁতা পৰি মিনিট চেৰেকৰ নিমিত্তে ফ্ল্যাটৰ ওপৰতে ঠৰ লাগিলোঁ। তাৰ পাচত, সেমেনাসেমেনিকৈ ভেলেজী শৰৱ দৰে জাহাজলৈ চাই চাই চায়ে থাকিলোঁ, জাহাজ মোৰ প্ৰতি ইতিকিং কৰি ফোঁচ-ফোঁচাই হাঁহি হাঁহি ভটায়াই ওচি গ'লগৈ! মই অগত্যা গধুৰ মনেৰে এখুজি চুখুজিকৈ পাৰলৈ উঠি আহি এজেণ্ট বাবুৰ বহাত আলহী সোমালোঁহি। তেওঁ আথে-বথে মোক ওচৰতে বহুৱাই লৈ মন ভাল লগোৱা কথা-বাৰ্ত্তা পাতি, মাজে মাজে এই বুলি আক্ষেপ কৰিবলৈ ধৰিলে যে, আৰু মিনিটদিয়েকৰ আগতে মোক দেখা পোৱা হলে, তেওঁ জাহাজখন কেইমিনিটমানলৈ বখাই থব পাৰিলেহেঁতেন। এফেৰিমানতে জাহাজখন এৰি গ'ল; পিচদিনা আকৌ সিমান পৰলৈকে মই অবাবত বাট চাই বৰ লগা হ'ল! তেওঁৰ সেই সৰল আক্ষেপে মোৰ আক্ষেপ ভিতৰি চতুগুণে বঢ়াবলৈ হে ধৰিলে। গতিকে, তেওঁৰ কাষবপৰা আঁতৰ হৈ মই নৈৰ বালিত গৈ অকলশৰে ইফাল-সিফালকৈ তহলিবলৈ ধৰিলোঁ গৈ। সেই ছেগতে চিন্তাই মোক অকলে পাই, কাণে কাণে ফুচ্ ফুচাই এই বুধি দিলে যে, যি হ'ল, হ'ল ওচৰতে আমাৰ সত্ৰত থৈ মই নিজিৰাওঁগৈ নো কিয়? মনে মনে বুধিটো গাঁথিত বান্ধি লৈ আছি, এজেণ্ট বাবুৰ আগত মেলি দেখুৱালোঁহি। তেওঁ অলপ বিষম বোধ কৰি, এইবুলি অপৰ এটা মন্ত্ৰণা-বুধি দিলে যে, বাতিটোলৈ তেওঁৰে শুশ্ৰূষা গ্ৰহণ কৰি তাতে জিবণি লৈ, পিচদিনা পুৱাতে ৰবনৈত প্ৰাতঃস্নান কৰি সত্ৰলৈ গৈ বেলাৰে বেলাটো তাত কটাব পাৰিলে হে মই ভাল তৃপ্তি লাভ কৰিব পাৰিম। তেওঁৰ বুধিয়ে মোৰটো বুধি তল পেলালে। সেই অনুসৰি, বাতিটো তাতে কটাই পিচদিনা প্ৰাতঃস্নান কৰি অলপ জা-জলপান বা চাহ পান কৰি গৈ, পুৱা ৮ মান বজাত আমাৰ আউনীআটী সত্ৰত সোমোলোঁগৈ। সোমায়েই পোনেই ৺শ্ৰীশ্ৰীদত্ত দেৱ গোস্বামী আমাৰ আধ্যাত্মিক নিজ গুৰুদেৱক সাষ্টাঙ্গে প্ৰণিপাত কৰিলোঁগৈ। প্ৰভু ঈশ্বৰে মোক দেখা পাই বব সন্তোষ প্ৰকাশ কৰিলে। তাৰ পাচত, এজনাৰ সঙ্গেত মতে আন এজনাই মাতি নি মোক আংহী শুশ্ৰূষাৰ ঘৰত অলপ জা-জলপান কৰাই লৈ সত্ৰৰ চাৰি-হাটী ফুৰাই-চকাই ভিতৰ-বাটচবাইদি পাৰ কৰি নি বাজ-বাটচবাৰ কাষত কিছুমান পৰ ব্যাওবাদন শুনালেগৈ। তাৰ পৰা এঘণ্টামানৰ পাচত, মোক আকৌ নি গোসাঁই-ঈশ্বৰৰ ওচৰত ভেঁটাই থলেগৈ। মই গভীৰ ভক্তি সহকাৰে প্ৰভু-ঈশ্বৰৰ মুখে বিবিধ বিষয়ৰ জ্ঞানগৰ্ভ উপদেশ বাণী শুনি শুনি পৰম তৃপ্তি লাভ কৰিবলৈ ধৰিলোঁ। কথা-প্ৰসঙ্গত, গোসাঁই-ঈশ্বৰে উলাহেৰে মোক এই বুলি সুধিলে, "আমাৰ সত্ৰীয়া ব্যাও-বাজনা শুনিলা গৈ নে?" মই সভক্তিৰে উত্তৰ দিলোঁ, "শুনা হৈছে, জগন্নাথ!" প্ৰভু-ঈশ্বৰে ততালিকে পুনৰপি প্ৰশ্ন কৰিলে, কেনে পালা? কেনে দেখা?" মই সেৱা এটি কৰি অতি বিনীত ভাৱে এই উত্তৰ দিলোঁ, "জগন্নাথ! শুনি ভাল পালো। কিন্তু কেনে দেখোঁ তাক ভাষি কবলৈ হলে, বব ভাল নেদেখোঁ। কিয়নো, ঈশ্বৰ-পুকৰে যিমান প্ৰয়ত্নেৰে এই ব্যাওপাৰ্টি গঠন কৰি ইয়াৰ উন্নতি সাধিবলৈ চাইছে সেই প্ৰয়ত্নেৰে আৰু সেই ইচ্ছাৰে আমাৰ স্বদেশী গীত বাদনাদিৰ চৰ্চ্চা কৰি তাৰ বহুল উন্নতি সাধিব পাৰেচোন? আমাৰ

আগৰদিনীয়া ৰবগীত আৰু তাৰ আনুষঙ্গিক বাদনাদিৰ চৰ্চ্চা আজিকালি ক্ৰমাৎ লোপ পাই আহিবলৈ ধৰা দেখিলে শোকে খুন্দি আনে। কোৱা বাহুল্য মাথোন যে আমাৰ সেই পুৰণি গীত-বাদ্যাদি আমাৰ বৰ্ত্তমান জাতীয় সাহিত্যৰ ভেটিস্বৰূপ। আন হাতে চাবলৈ গলে, ব্যাণ্ড বাদনাদি বিদেশীয় আনন্দৰ আঁহিলা-পাতি আৰু এনে বাদনাদিয়ে ৰণ-বিগ্ৰহাদিত হে উদ্দানি দিয়ে, আমাৰ সত্ৰীয়া জাতীয় উৎসৱাদিত ই সিমান গুণ দিব নোৱাৰে। সেৱকে ইয়াকে মনোভাৱ ব্যক্ত কৰিলোঁ ; প্ৰভু জগন্নাথে নিজগুণে দায়-দোষ মৰ্ষণ কৰে যেন।" মোৰ কথাকেষাৰ গোসাঁই ঈশ্বৰে মন পাতি শুনি থাকি, শেহাস্তৱত এই বুলি সামৰি থলে "দায় দৰিব লগীয়া কথা তুমি একো কোৱা নাই ; ৰবঞ্চ সজ ভাৱমূলক কথা হে কৈছা। আৰু, তোমাৰ কথা কেই আমাৰ মনত ৰাখিব লগীয়া"। তাৰ পাচত, "আসাম বিলাসিনী" প্ৰচাৰ প্ৰমুখ্যে ভালমান দেশহিতকৰ কাৰ্য্যৰ ফালে শুভদৃষ্টি ৰখাৰ বাবে গোসাঁই-ঈশ্বৰৰ বিস্তৰ গুণ-কীৰ্ত্তন কৰি মই প্ৰভূপদত লৰালৰিকৈ বিদায় মাগিলোঁ ; কিয়নো সিফালে জাহাজ চাপিবৰ সময় চাপিলহি। প্ৰভু ঈশ্বৰে সন্তোষ চিতেৰে মোক বিদায় দিলে। ঘাটলৈ বুলি খৰ খোজেৰে উলটি আহোঁতে মনে মনে এই এটা ভাবে মোক সন্তোষ দি আনিছিল যে, "মি কৰে ঈশ্বৰে, মানুহৰ ভালৰ কাৰণে হে ; আগদিনা মই জাহাজ নেহেকেরা হলে, পিচদিনা সত্ৰত নিজগুৰু দৰ্শন আৰু প্ৰভু ঈশ্বৰৰ অমায়িক জ্ঞানগৰ্ভ আলাপন শ্ৰৱন কৰি পোৱা সেই আপুকগীয়া তৃপ্তিলাভৰ সোণালময় ছেগটি হেকেৰালোহেঁতেন !"

মই উলটি আহি ঘাট পোৱাৰ এপনমান তামোল খোৱাৰ পৰতে নিলগত জাহাজৰ ধোঁৱা দেখা গ'ল। মই লগুৱাটোৰে সৈতে খৰধৰকৈ গৈ 'বোট'ত উঠি লৈ জাহাজ আহি কাষ চপাৰে ডিঙ্গি মেলি মেলি বাট চাই বলোঁগৈ। তাৰ পাচত, জাহাজে আমাকো অইন যাত্ৰীৰ লগৰীয়াকৈ তুলি লৈ, উঁকিয়াই উঁকিয়াই আঁতৰি ভটীয়াই যাবলৈ ধৰিলে। মই বীবে-শান্তে দ্বিতীয় শ্ৰেণীৰ কেবিন বা কুঠৰী এটাত থিত্ লৈ, তাৰ সমুখত পাৰি থোৱা হেলনীয়া মাচিয়া এখনত জাহাজৰ আগমুহাকৈ চিট হৈ পৰি লৈ, সুবহুল সুগহীন মহান ব্ৰহ্মপুত্ৰৰ দুয়োপাশৰ বিশাল মনমোহা দৃশ্য চাই চাই উটি ঘোৱাদি যাবলৈ ধৰিলোঁ। সেই ছেগতে, পৰ্ব্বতীয়া আৰু ভৈয়ামীয়া সুখদৃশ্যৰ পাৰ্থক্য বিজাই চাই এটি অনিৰ্ব্বচনীয় সুখ অনুভৱ কৰিবলৈকো মই এটি আপুকগীয়া সুযোগ পাইছিলোঁ। দেখিলোঁ, সুপ্ৰশস্ত ব্ৰহ্মপুত্ৰ নদৰ কোনো পাকত কোনো পাৰত সুবিস্তীৰ্ণ বালীথেৰৰ চাপৰিয়ে নিমজ্জ সমান সোণালী পাৰি ধোৱা পাটী একোখনৰ দৰে ভাগকৰা বাটকৰাক একোবাখৰ দি জিৰাই যাবলৈ আদৰেৰে আৱাহন কৰিব লাগিছে ; কোনো পাৰত কোনো পাকত সুবিশাল ৰূপালী পাৰি ধোৱা কমোৱা তুলাৰ তুলিৰ দোলন শয্যা বতাহত সুকোমল ঢৌ তুলি হেন্দুলীয়াই অতিশ্ৰান্ত পথিকক ক্ষন্তেকমান বিশ্ৰাম লৈ যাবলৈ বুলি সাঙ্কেতিক নিমন্ত্ৰণ জনাব লাগিছে ; কোনো একোটা দীঘল ডঁবিয়ৱীৰ কোনো পাৰত দীঘলীয়াকৈ শাৰী পাতি একোডবা শিমলু খেতিয়ে মানৱৰ কপাহ খেতিৰ দৰে বিশ্ব-খেতিয়কৰ আহি-পটন্তৰ দেখুৱাই এলেহুৱা কৃষক প্ৰাণক কৰ্ম্মক্ষেত্ৰত নামিবলৈ নীৰৱে উদ্ধনি দিব লাগিছে ; কোনো একোটা সুদীৰ্ঘ দেহুভিৰীয়া 'ৰবনৰ পাক'ৰ কিলাকুটীয়া আঁকোৱালিত একোটা প্ৰকাণ্ড বালি-চাপৰিয়ে ৰ'দৰ জিলিঙনিৰে তিৰবিৰণি তুলি একোখন সাগৰ সদৃশ মৰীচিকাৰ চিত্ৰেৰে মৰুভূমিৰ আদৰ্শ দেখুৱাইছে। লগতে, বহু নিলগৰ পৰা চুপাশে চুপাৰী পৰ্ব্বত দৰ্শকেও সেই সুখদৃশ্য একাগতীয়াকৈ চাই চাই ৰ'লাগি ৰৈছিল। ইত্যাদি ভৈয়ামৰ প্ৰাকৃতিক ৰূপলীলা চাই চাই গৈ থাকোঁতে চুয়োপাৰৰ লক্ষীমপুৰ আৰু শিৱসাগৰৰ এলেকা পাৰ হৈ তেজপুৰ সদৰৰ সীমাৰ ভিতৰত সোমাবোঁগৈ ; সোনাই, তাবো গহপুৰ, গমিৰি, বিহাগী এই কেইটা জাহাজঘাট চেৱাই গলোঁগৈ। তাৰ পাচতো গৈ গৈ আবেলি পৰত বিখ্যাত বিশ্বনাথ ঘাট চাপিছোঁগৈ, এনেতে দেখিলোঁ দীঘল-ডাঙৰ ভদ্ৰলোক যাত্ৰী এজন জাহাজত উঠিছেহি। মই সেই বহাভাগেই ঘূর্ণবী ধোঁৱাগোৱাত বৈ বৈ ধপাত হপি তেওঁৰ আলেখ-লেখ চাই আছোঁ, তেৱো মোৰ কেবিনৰ কাষতে ইণ্টাৰক্লাচ এটা পতাই লৈ



[ওজাহিদ গুৱৰ]

ব্ৰহ্মপুত্ৰ শতাব্দীৰ শিৱৰ সাঁকো

[শ্ৰীযুত মহেশ্বৰ কটকীয়ে দিয়া এই সংখ্যা এই মাহে প্ৰকাশ ক'ৰ]
[বাণীবিলাস প্ৰেছ, শিব ডিব্ৰুগড়।]

নিজৰ শয্যাপাতি দিয়া লগাই লওঁতে মাজে মাজে একো একোবাৰ মোৰ ধোঁৱাপানলৈ সতৃষ্ণ চকুৰে চাইছে ; গতি-গোত্ৰ দেখি বুজিলোঁ, মানুহজন ধণতুৱা। আৰু ভাবিলোঁ সেই তৃষ্ণাই অনতিপলমে তেওঁক মোৰ ওচৰ চপাবহি এতিয়া। এনে ভাৱে থাকোঁতেই, এপাকত আহি তেওঁ মোৰ ওচৰত থিয় দি, মোক আধা বঙলুৱা অসমীয়া মাতেৰে সুধিলেহি মই নো কৈলে যাম ; মই তেজপুৱলৈ যাম বুলি সমিধান দিয়াত তেওঁ আগ্ৰহৰে সৈতে আৰু অলপ মোৰ কাষ চাপি ৰহমনেৰে কলে যে, তেৱোঁ তেজপুৱতে নামিবগৈ, তেওঁ এজন তেজপুৰবাসী। সেই কথাত মই মোবেই লাভ হ'ল বুলি ভাবিলোঁ। কিয়নো, মই আচহুৱা তেজপুৰ যাত্ৰী, তাতকৈ তেওঁৰ পৰা সেই ঠাইৰ ভিতৰুৱা আৰ-ভাৰৰ আভাস লবলৈ সুবিধা পোৱা যাব। এই ভাবি, ময়ো আগ্ৰহেৰে তেওঁক মোৰ কাষতে পাৰি থোৱা আন এখন মাচিয়াত বহিবলৈ সঙ্কেত দিলোঁ। তেওঁ বহিল, কিন্তু চকু ধপাত চিলিমৰ ওপৰত! আৰু, বহি যাওঁতেই মোক প্ৰশ্ন কৰিলে, মই বামুণ নে? উত্তৰত মই কলোঁ, "নহয়, মই আহোম হে"। তেতিয়া তেওঁ খল্‌খলাই হাঁহি, এই বুলি কলে, "অ, মই আপোনাৰ কুলমানৰ কথা বেছকৈ জানোঁ ; উজনি অসমত কাম কৰা দিনৰপৰাই মই আহোমসকলৰ লগত বিশেষকৈ পৰিচিত। মই কায়স্থ মানুহ। আপোনাৰ আপত্তি নাথাকিলে, ময়ো ধোৱাঁপানৰ ভাগ লব খোজোঁ।" মই একো নামাতি অলপ মিটিকিয়াই মাথোন ৰহমনেৰে হুঁপি থকা ৰবৰৰ নলী ডালি তেওঁৰ হাতলৈ পাৰ কৰিলোঁ। তেওঁ পায়েই বৰ হেঁপাহেৰে হুঁপিবলৈ ধৰিলে,—কেইমিনিটমানলৈ মাত-বোল বহিত হল। তাৰ পাচত, অলপ তৃপ্তি পলুৱাই ধোৱাঁপান কৰি লৈ, মোক আকৌ প্ৰশ্ন কৰিলে, মই আহিছোঁ ক'ৰ পৰা, তেজপুৱত নামিম কি উদ্দেশ্যে? মই উত্তৰত চমুকৈ সেই বিষয়ে ভাঙি কলোঁ। তেওঁ অলপ উণ্ডল-পুণ্ডলভাৱে শুনি থাকি, মোৰ কোৱাৰ পাচত, আগ্ৰহেৰে এই বুলি সুধিলে আৰু কলে, "অ, আপুনিয়েই তেজপুৰৰ নৰ্ম্যাল স্কুলৰ হেডমাষ্টাৰ হৈ আহিছে? আপুনি গৈয়েই দুৰ্গাধৰ বাবুক অৱশ্যই দিবগৈ লাগিব ; তেওঁ আপোনালৈ বাট চাইছে আছে, এই সপ্তাহৰ ভিতৰতে খিলঞ পাৰগৈ লাগিব। মই দৰংজিলাৰ স্কুল সমূহৰ ডেপুটী ইন্‌স্পেক্টৰ ; আপোনাৰ ভাৰী স্থলখন মোৰ তাবেদাৰৰ তলতে।" এই বুলিয়েই তেওঁ মেজাজ সলাই গহীনাই বহিলে। ময়ো তেওঁৰ মেজাজ পৰিবৰ্ত্তনৰ মূলতত্ত্ব বুজি উঠি, নিজৰ মেজাজ ঠিক বাখি গহীন ভাৱে কলোঁ, "ভালেই হ'ল তেন্তে, এই ছেগতে আপোনাৰে সৈতে আগ ধৰি চিনাকি হৈ ললোঁ"। তাৰ পাচত, দুয়ো ভালেমান পৰলৈকে বিবিধ বিষয়ক কথা-বার্ত্তা পাতিলোঁহক। তাবেপৰা দুয়ো দুইকো মি বুজিলোঁ, বুজিলোঁ ; মুঠৰ ওপৰত, দুয়ো দুইৰ প্ৰতি মেজাজ বাখি (reserved) চলিবলৈ ধৰিলোঁ। এই ভাৱে বিশ্বনাথৰ পৰা আহি শিলঘাট পাওঁতেই বাতি ভূপৰমান হ'ল। বাকী ছোৱা বাতিলৈ জাহাজ তাতে বান্ধিবলৈ আয়োজন কৰা দেখি, আমি দুয়ো শেহ ছোৱা বাতিৰ কাৰণে বিদায় লোৱালুই কৰি নিজ নিজ শয্যাত পৰিলোঁগৈহক।

পিচদিনা পুৱা উষা পোহৰতে জাহাজ মেলি দিয়া হ'ল। জাহাজ তেজপুৰ মুৱা হৈ ভটীয়াই আহিল। মই ইতি ছেগতে শৌচাচাৰাদি প্ৰাতঃকৃত্য সমাপন কৰি উঠি, তেজপুৰ ঘাটত নামিবলৈ বুলি সঞ্জম হলোঁ। একে সময়তে একেদৰেই মোৰ নতুন চিনাকি ভদ্ৰলোকজনো একে উদ্দেশ্যেই সাজু হৈ উঠি, ধীৰে ধীৰে মোৰ কাষলৈ আহি মোক সুধিলেহি, "আপোনাক আগবঢ়াই নিবলৈ ঘাটলৈ কোনোবা আহিব নে?" মই কলোঁ, "সম্ভৱতঃ আহিব"। তাকে শুনি তেওঁ পুনঃ কলে যে, নাহে যদিও, তেওঁ মোক সকলো সুবিধা কৰি দিব, তাৰ নিমিত্তে মই চিন্তা কৰিব নালাগে। মই সেই বাবে তেওঁৰ শলাগ ললোঁ। তেওঁ, আন নহয়, বাবু হাবাণচন্দ্ৰ দাস গুপ্ত। দুয়ো কথা পাতি থাকোঁতেই দুইৰো চকু পাৰত থিয় দি বাট চাই থকা কেজনমান অসমীয়া ভদ্ৰলোকৰ ওপৰত পৰিল। তেওঁ ব্যগ্ৰতাবে সৈতে মাতি উঠিল, "ঐ যে দুৰ্গাধৰ বাবু!" মই লাহেকৈ উত্তৰ দিলোঁ, "ময়ো চিনিছোঁ ; আৰু মই যাৰ ঘৰত আলহী হমগৈ তেওঁকো দেখিছোঁ, সৌৱা ৰবকটকীৰ কাষতে"। তেওঁ কলে, "ঘনকান্ত বাবুৰ কথা কৈছে নে কি?" মই কলোঁ, "হয়"। শুনি, তেওঁ নিজে আগ ধৰি

নিশ্চিন্ত হৈ লৈ মোক এই বুলি আশ্বাস দিলে, "তেনেহলে আপোনাৰ কোনো চিন্তা নাই ; মই সহায় নকৰিলেও হব"। এনেতে, পাৰৰ পৰা জাহাজৰ ওপৰলৈ উঠি আহি মোৰ সমনীয়া বন্ধু শ্ৰীযুত দুৰ্গাধৰ বৰকটকী আৰু মোৰ অগ্ৰজ প্ৰতিম বয়সীয়া বন্ধু মিঃ ঘনকান্ত চলিহা আমাৰ কাষতে থিয় হ'লহি। দুয়ো মোক অতি চেনেহেৰে আলিঙ্গন কৰিলে, ময়ো দুইকো সেই চেনেহৰ প্ৰতিদান দিলোঁ। তাৰ পাচত, হাৰাণ বাবুৱে সিবিলাকৰ হাতত মোক গতাই দিয়াদি দি, মোৰে সৈতে "হস্তমৰ্দ্দন" কৰি বিদায় লৈ পাৰলৈ নামিবলৈ খৰ্‌ধৰ্‌ কৰিলে। তেওঁ নামি যোৱাৰ পাচতে, লগুৱাটোৰে সৈতে মোৰ মাল-বস্তুখিনি বৰকটকীক গতাই দি, মিষ্টাৰ চলিহাই মোক তেওঁৰ বাগীত তুলি লৈ আহি তেওঁৰ বঙলাত আলহী নমালেহি। নামিয়েই ভিতৰলৈ সোমাই গৈ দেখোঁ যে, সেই ঘৰত মই আলহী নহয়, পৰিয়ালৰ এজন হে! ইগৰাকী সিগৰাকীৰ পৰা "পদ্ম বোপাটি" সম্বোধন শুনি মোৰ প্ৰাণ শীতল হ'ল, ভালেমান পৰলৈকে বাহিৰৰ কথালৈ মই পাহৰি গলোঁ! অলপ পাচতে, বৰকটকী দেৱৰ দিহামতে নৰ্ম্ম্যাল স্কুলৰ বিৰাম নামে বুঢ়া চকিদাৰে এখন গাড়ীতকৈ লগুৱাটোৱে সৈতে মোৰ বয়-বস্তু আটাইখিনি ঠিকে-ঠাকে আনি মোক চম্‌জাই দি গ'লহি।

সেই দিনাই, দুপৰীয়া ভোজনৰ পাচত, খৰ্‌পোচ্‌কৈ গৈ বৰকটকীদেৱক দুখন বিষয়-বাবৰ কাণসলনি দিলোঁগৈ; এখন "তেজপুৰ নৰ্ম্ম্যাল স্কুলৰ হেডমাষ্টাৰ" গৱৰ্ণমেণ্ট বিষয়-বাব ; আৰু ইখন "তেজপুৰ অসমীয়া ভাষা সমালোচনী সভাৰ সম্পাদক"ৰ ৰাইজীয়া বিষয়-বাব। সেই একেদিনাই আবেলি তেজপুৰ টাউনবাসী অসমীয়া ভদ্ৰলোকসকলে এখন চাহখোৱা মেল পাতি বৰকটকীদেৱক বিদায়-সম্ভাষণ জনোৱাৰ পাচত, তেওঁক সন্ধিয়াপৰত শ্বিলঙ্গলৈ বুলি আগবঢ়াই নি জাহাজত তুলি থৈ আহিলোঁগৈহঁক। পিচদিনাৰ পৰা মই পোনেই চৰ্কাৰী বিষয়ববীয়া কৰ্ত্তব্য আগত লৈ কাৰ্য্য আৰম্ভ কৰিলোঁ। তেজপুৰ নৰ্ম্ম্যাল স্কুলৰ হেডমাষ্টৰৰ আসন গ্ৰহণ কৰোঁতেই, জয়জয়তে মোৰ কাণত বাজি যোৱা পোন-প্ৰথম আসোঁৱাহ এটা গুচাই ললোঁ।— মোৰ ছাত্ৰ-গুৰু-বৰ্গৰ পৰা মোক কোনোৱে 'স্যাৰ,' কোনোৱে 'বাবু' বুলি সম্বোধন কৰাত মোৰ আচহুৱা কাণত সি বেজবেজাই বাজি উঠিল! কিয়নো, গাৱঁলীয়া গুৰুৰ মুখত "স্যাৰ" শব্দটো অশোভন আৰু "বাবু" মাতষাৰ আপচু যেন মোৰ বোধ হ'ল। ভাবিলোঁ, অসমীয়া ব্যৱস্থাৰে পুৰণাত মোহাৰি সানি সেই পোৰণি বা বেজবেজনি তেতিয়াই ততালিকে মাৰি নললে, সি অভ্যাসত সোমাই লৈ পাচত মোক সততে আমনি কৰি থাকিব ; সেই কাৰণে সেই প্ৰথম দিনাই মই মোৰ গুৰুছাত্ৰবৰ্গক সংশোধন কৰি, বুজাই দিলোঁ যে, অসমীয়া স্কুলৰ অসমীয়া শিক্ষকক 'চাৰ' বা 'বাবু' বোলাটো আপচুজনক কথা ; এতেকে তেতিয়াৰ পৰা সিবিলাকে শিক্ষাগুৰুক "গুৰুদেৱ!" বুলি সম্বোধন কৰিব লাগিব। ফলিতাৰ্থত তেতিয়াৰ পৰা তেজপুৰৰ গাৱঁলীয়া পঢ়াশালিবোৰত নিজ শিক্ষকক "গুৰুদেৱ" সম্বোধন ধৰাৰ ৰীতি প্ৰচলিত হবলৈ ধৰিলে। ইমানৰে পৰা মোৰ তেজপুৰীয়া জীৱন। তেতিয়াৰপৰা এতিয়ালৈকে এই ক্ষুদ্ৰ জীৱনৰ ৩৬ একুৰি ষোল বছৰীয়া কাহিনী সুমৰিবলৈ বাকী ৰ'ল। ভালে-কালে জীয়াই থাকোঁ যদি, অহা বছৰৰ "আৱাহন"ৰ আঁচলত সেই ছোৱাও বান্ধি দিবলৈ হাবিয়াস থাকিল। ইতি— (ক্ৰমশঃ)

নিৰস্ত্ৰীকৰণ

—শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী বি-এ

তাহানিৰ য়ুৰোপীয় মহাসমৰৰ সেই ভয়ানক স্মৃতি আজিও সকলোৰে মনত সজাগ হৈ আছে। যুদ্ধ পূৰ্ণ বেগেৰে চলিবলৈ ধৰিলত সমগ্ৰ পৃথিবী জুৰি এক তুমুল হাহাকাৰৰ প্ৰতিধ্বনি শুনা গ'ল। চিন্তাশীল জগৎ ব্যস্ত হৈ উঠিল। জগতত পুনৰ শান্তি স্থাপন কৰিলৈ মনিষী সকলে দেহেকেহে লাগি পৰিল। ফলত যুদ্ধৰ অৱসান হ'ল আৰু ভাৰ্শাইলৰ সন্ধিপত্ৰ মতে 'লীগ্‌ অব্‌ নেশ্যন্স্‌' বা মহাজাতি সঙ্ঘৰ জন্ম হ'ল। ভবিষ্যতে যাতে এইদৰে যুদ্ধ হৈ দেশৰ সৰ্ব্বনাশ কৰিব নোৱাৰে তাৰ ভাৰ থাকিল এই সঙ্ঘৰ ওপৰত। সেই অৰ্থে সঙ্ঘৰ প্ৰথম কৰ্ত্তব্য হ'ল— কোনো দুই বা অধিক দেশৰ মনোমালিন্যৰ সম্ভাৱনা দেখিলেই তেওঁলোকক বুজাই সুজাই মিটমাট কৰি দি তেওঁলোকক যুদ্ধৰপৰা বিৰত ৰখা। কিন্তু হায়! মন পবিত্ৰ নহলে কাৰ সাধ্য যে লোকক যুদ্ধৰ পৰা ৰাখে? সিদিনা মাত্ৰ চীন আৰু জাপানৰ যুদ্ধত পৃথিবীৰ বুকুত তেজৰ নদী বৈ গ'ল। ই যুদ্ধ নহয়, চীনৰ ওপৰত দস্তুৰ মতে ডকাইতি। কিন্তু ক'তা? লীগৰ কথালৈ তো কোনেও কৰ্ণপাতকে নকৰিলে।

দ্বিতীয়তে পণ্ডিতসকলে ভাবিলে যে যুদ্ধৰ সাজ সজ্জাই অশান্তিৰ ঘাই কাৰণ। অস্ত্ৰশস্ত্ৰেৰে সুসজ্জিত জনে অৰ্থলোভৰ বশবৰ্ত্তী হৈ সহজেই লোকৰ ওপৰত অত্যাচাৰ কৰিবলৈ মন মেলে। অস্ত্ৰশস্ত্ৰৰ বল নাথাকিলে ইচ্ছা থকাতো সুবিধাৰ অভাৱত যুদ্ধৰপৰা বিৰত হবলৈ বাধ্য হয়। গতিকে মহাজাতি সঙ্ঘৰ অন্যতম কৰ্ত্তব্য হ'ল ৰণসজ্জা হ্ৰাস কৰা। তেতিয়াৰপৰাই নিৰস্ত্ৰীকৰণ সমস্যাৰ সূচনা হ'ল। অৱশ্যে ইয়াৰ বীজ ৰোপিত হৈছিল মহাসমৰৰো বহুদিন আগেয়ে তাহানি খৃষ্টীয় ১৮৯৯ চনৰ হেগ্‌ (Hague) কন্‌ফাৰেন্সতে। কিন্তু ইয়াক কাৰ্য্যত পৰিণত কৰিবলৈ বিশেষভাৱে চেষ্টা কৰা হৈছে এই ভাৰ্শাইলৰ সন্ধিৰ পিছৰ পৰাহে।

আজি ১২ বছৰে মহাজাতি সঙ্ঘৰ নিৰস্ত্ৰীকৰণ শাখাই ৰণসজ্জা কমাবলৈ অশেষ পুৰুষাৰ্থ কৰি আছে। সিদিনাও জেনেভাত মিঃ হেণ্ডাৰচনৰ সভানেতৃত্বত বিশেষজ্ঞসকলৰ এটা অধিবেশন হৈ গ'ল। এই সন্মিলন Disarmament Confarence for the Reduction and Limitation of Armaments অৰ্থাৎ ৰণসজ্জা হ্ৰাস আৰু সীমাবদ্ধ কৰিবলৈ পতা সন্মিলন। তাতে হেনো '৬৪ খন ৰাজ্যৰ প্ৰতিনিধিৰ ভিতৰত ৪১ খনৰ মত অনুসৰি চাৰ জন চাইমনৰ বিশ্লেষনিক নিৰস্ত্ৰীকৰণ নীতি (qualitative disarmement) অৱলম্বন কৰি কৰা প্ৰস্তাৱ এটিও গৃহীত হৈছে। কিন্তু ক'তা? জগৎতো নিৰস্ত্ৰ নহ'ল ; বৰং দিনকে দিনে সামৰিক শক্তি বৃদ্ধিহে হবলৈ ধৰিছে। জাৰ্ম্মানী আৰু কেইটামান পৰাজিত জাতিত বাহিৰে য়ুৰোপৰ প্ৰায় আটাইবিলাক জাতিয়ে আজিও তাহানি ১৯১৪ চনৰ সমানে যুদ্ধ সজ্জাত খৰচ কৰি আছে। মহাজাতি সঙ্ঘৰ অস্ত্ৰনিৰ্ণয়ৰ বাৰ্ষিক পুথি মতে (Statistic of the Armaments Year Book of the League) ফ্ৰান্সৰ ১৯২৯ চনৰ খৰচ ১৯১৩ চনৰ সমান। সন্ধিসূত্ৰ মতে জাৰ্ম্মানীয়ে যদিও সৰহ সংখ্যক সৈন্য বা সমৰপোত ৰাখিব নোৱাৰে আৰু ডাঙৰ ডাঙৰ কামান বা আকাশীৰথ আদি তৈয়াৰ কৰিব নোৱাৰে তথাপি জাৰ্ম্মানীৰ সামৰিক খৰচ আজি ভালেখিনি বৃদ্ধি হৈছে। পোলেণ্ড, জেকোশ্লোভেকিয়া, জুগোশ্লোভিয়া আদি নতুনকৈ হোৱা দেশবিলাকৰো যুদ্ধসজ্জা কোনো গুণে কমা নাই। ৰুমানিয়াৰ বৰ্ত্তমান ফৌজটো হেনো তাহানি ১৯১১ চনৰ বল্কান যুদ্ধৰ ফৌজটোতকৈও ডাঙৰ। আজি ৩।৪ বছৰৰ ভিতৰত

ৰুছিয়াৰ সৈন্যবল দুগুণ হৈছে। মুঠৰ ওপৰত যুদ্ধ সজ্জাৰ বাবে বছৰি ৫০০,০০০,৩০০ পাউণ্ড খৰচ হয় এক দেউলীয়া য়ুৰোপৰ পৰা। এনেস্থলত নিৰস্ত্ৰীকৰণ সন্মিলনৰ কাৰ্য্যই কিমান দূৰ সফলতা লাভ কৰিছে তাক বোধ হয় নকলেও হব।

কিন্তু জগৎ নিৰস্ত্ৰ হলেই যে শান্তি আহিল তাৰেই বা কি প্ৰমাণ? যুদ্ধসজ্জা একেবাৰে উঠাই দিবলৈ যদি সকলো ৰাজী হয় তেতিয়াও যুদ্ধ একেবাৰে উঠি যাব নে নাযায় সন্দেহজনক। অন্তৰত যুদ্ধপ্ৰিয়তা থাকিলে অস্ত্ৰশস্ত্ৰ যোগাৰ কৰোতে কিমান বেলি? সমাজৰ বৰ্ত্তমান অৱস্থালৈ চাই দেশবিলাক সম্পূৰ্ণ নিৰস্ত্ৰ হোৱাটো সম্ভৱপৰ নহয়। সমাজ যিমানেই সুসভ্য নহওক বিপ্লৱ বা বিদ্ৰোহৰ ভয় য'তে ত'তেই আছে। পৰাধীন দেশবিলাকে যেনেকৈ দাসত্ব শৃঙ্খল দলিয়াই দি স্বাধীন হবলৈ বিচাৰে, স্বাধীন দেশবিলাকতো তেনেদৰে প্ৰতিষ্ঠিত ৰাষ্ট্ৰীয় শক্তিৰ বিৰুদ্ধে অনেক সময়ত ষড়যন্ত্ৰ হৈ থাকে। এই বিদ্ৰোহী বিলাকক দমাই ৰাখিবলৈ অলপ নহয় অলপ সৈন্যবলৰ দৰ্কাৰ। সিদিনামাত্ৰ বিপ্লৱীসকলৰ সংঘৰ্ষত স্পেনৰ বুকুত তেজৰ নদী বৈ গ'ল। তাৰ ৰজাই ৰাজ্য এৰি দিবলৈ বাধ্য হ'ল। শ্যামদেশতো অলপতে বিপ্লৱবহ্নি জ্বলি উঠিছিল কিন্তু দেশৰ গুৰিয়ালসকলৰ গুণত ৰক্তপাত নহ'ল। প্ৰজাবিলাকৰ মনৰ ভাব বুজিব পাৰি ৰজাই সহজেই প্ৰজাবৰ্গৰ হাতত নিজক সঁপি দিলে। শ্যামৰ মহাৰজা সঁচাকৈয়ে আমাৰ শ্লাঘ্য। আমেৰিকাৰ যুক্তৰাজ্য গণতন্ত্ৰ প্ৰণালীৰে শাসিত হলেও শাসন-কাৰ্য্যত ধনিক-সম্প্ৰদায়ৰে বেছি প্ৰভুত্ব বুলি শ্ৰমিকদলৰ মাজত এটা অসন্তোষৰ ভাব দেখা যায়। এই অসন্তোষৰ ফলত আমেৰিকাতো ৰুছিয়াৰ communism বা সাম্যবাদৰ প্ৰাবল্য হয় বুলি আমেৰিকাৰ ৰাষ্ট্ৰীয় শক্তি সদায় সতৰ্ক থাকিব লগাত পৰিছে। ৰুছিয়াতো শ্ৰমিক দলৰ বিদ্ৰোহৰ ফলত জাৰৰ ৰাজ্য গ'ল, ধনিকসম্প্ৰদায় ধ্বংস হ'ল আৰু তাৰ স্থানত সাম্যবাদৰ বিস্তাৰ হ'ল। এইদৰে ৰাজ্য সেই দেশজাত কোনো স্বেচ্ছাচাৰী ৰজাৰ দ্বাৰাই শাসিত হওক বা গণতন্ত্ৰপ্ৰণালী মতেই শাসিত হওক, বিদ্ৰোহৰ ভয় সকলোতেই আছে আৰু সেই বিদ্ৰোহৰ হাত সাৰিবলৈ অলপ নহয় অলপ সামৰিক শক্তিৰ নিতান্ত প্ৰয়োজন। ৰাজবিদ্ৰোহৰ বাহিৰেও দুষ্ট চোৰ ডকাইত সকলো দেশতে আছে। মানৱচৰিত্ৰ এতিয়াও ইমান পবিত্ৰ হোৱা নাই যে দেশত এটাও দুষ্ট প্ৰকৃতিৰ মানুহ নাথাকে। এই অসৎলোকবিলাকৰ অত্যাচাৰৰপৰা শান্তশিষ্ট সকলক ৰক্ষা কৰি দেশৰ শান্তি ৰক্ষা কৰিবলৈ অলপ নহয় অলপ সৈন্যবল লাগিবই; গতিকে সম্পূৰ্ণ নিৰস্ত্ৰীকৰণ একেবাৰে অসম্ভৱ বুলিলেও বোধ হয় অত্যুক্তি কৰা নহব।

ব্যক্তিত্ববাদ (individualistic or laissez faire theory) মতাৱলম্বী পণ্ডিতসকলৰ মতে গবৰ্ণমেণ্টৰ অস্তিত্বই এটা আৱশ্যকীয় আবৰ্জ্জনা মাত্ৰ (necessary evil)। হিংসাদ্বেষ আদি কুপ্ৰবৃত্তি বিলাক মানুহৰ মাজত আছে বুলিয়েই গবৰ্ণমেণ্টৰো আৱশ্যক হৈছে। এনে এদিন আহিব পাৰে, যেতিয়া হিংসাদ্বেষ প্ৰভৃতি কুপ্ৰবৃত্তি বিলাক মানুহৰ অন্তৰত ঠাই নাপাব। তেতিয়া সৈন্যসামন্ত ৰখা দূৰৰ কথা গবৰ্ণমেণ্টৰে আৱশ্যকতা নোহোৱা হব। হাৰ্‌বাৰ্ট স্পেনচাৰে এঠাইত কৈছে "Does it not exist because crime exists and must Government not cease when crime ceases? It is a mistake to consider that Government must last for ever...it is not essential but incidental." (দোষ আছে বুলিয়েই গবৰ্ণমেণ্টো নাছেনে? জগৎ দোষশূন্য হলেই গবৰ্ণমেণ্টো নোহোৱা নহবনে? ইমান দিন যে আছে সি ঘটনাক্ৰমেহে।) পাশ্চাত্য পণ্ডিতৰ এই মহাবাণী যদি সত্য হয় আৰু এই চৰম অহিংসাবাদৰ যদি কেতিয়াবা প্ৰবৰ্ত্তন হয়, তেতিয়া হয়তো সম্পূৰ্ণ নিৰস্ত্ৰীকৰণ সম্ভৱ হবও পাৰে। প্ৰবাদ আছে যে পুৰণি কালত হেনো কিছুমান আৰ্য্যঋষিয়ে এই চৰম অহিংসবাদ অৱলম্বন কৰিছিল। আততায়ী হৈ তো লোকৰ ওপৰত অত্যাচাৰ নকৰিছিলেই অত্যাচাৰীবিলাকৰ প্ৰতিও হেনো উদাসীন আছিল। হিংস্ৰ বাঘ সাপবিলাকৰ প্ৰতিও হেনো ঔদাসীন্য প্ৰকাশ কৰিছিল আৰু তেওঁলোকৰ এই চৰম অহিংসাবাদৰ কাৰণেই বোধ হয় বাঘ সাপ প্ৰভৃতি হিংস্ৰ জন্তু বোৰেও নিৰস্ত্ৰীকৰণ

ব্ৰত অৱলম্বন কৰি তেওঁলোকক দংশন আদি নকৰিছিল। এই চৰম অহিংসাবাদী আৰ্য্যঋষিসকল যদি কেতিয়াবা জগতময় হয় তেতিয়া বোধহয় সৈন্যসামন্তশালী গবৰ্ণমেণ্টো নিৰস্ত্ৰ হব পাৰিব। কিন্তু বৰ্ত্তমান সমাজৰ অৱস্থা আৰু মানবচৰিত্ৰলৈ চাই তেনে দিন অহাৰ কোনো সম্ভাৱনা দেখা নাযায়, গতিকে সম্পূৰ্ণ নিৰস্ত্ৰীকৰণো সম্ভৱপৰ বুলি আজি আমি কব নোৱাৰোঁ।

দ্বিতীয়তে সকলোৱে আংশিক পৰিমাণে ৰণসজ্জা কমাবলৈ সাজু হব পাৰে। কিন্তু তেতিয়াও পৃথিবীৰপৰা যুদ্ধ উঠি যাব বুলি কব নোৱাৰি। ধৰক জানিবা সকলো দেশে শতকৰা ২০ ভাগকৈ সামৰিক খৰচ কমাই দিলে। কিছুমান দেশ তেতিয়াও বলবান হৈয়েই থাকিব। সকলোৰে ৰণসজ্জা সমান অনুপাতে হ্ৰাস হোৱাত বলবান আৰু দুৰ্ব্বলী ৰাজ্যৰ মাজত যি পাৰ্থক্য আছিল সি থাকিয়েই গ'ল। গতিকে দুৰ্ব্বল ৰাজ্যবিলাকক আক্ৰমণ কৰি জগতৰ শান্তি নষ্ট কৰাৰ সম্ভাৱনা পূৰা মাত্ৰাই থাকিল। সমান অনুপাতে নকমাই যুদ্ধসজ্জা হ্ৰাস আৰু সীমাবদ্ধ কৰিলেও সেই একে আপত্তিয়েই খাটিব।

এইখিনিতে আৰু এটা কথা মনত ৰাখিব লাগিব যে ৰণসজ্জা সমান অনুপাতেই কমাওক বা সীমাবদ্ধই কৰক তাৰ পৰা পৰাধীন দেশবিলাকৰ অৱস্থাৰ কোনো পৰিবৰ্ত্তন নহয়। এতিয়া যেনে দৰে আছে নিৰস্ত্ৰীকৰণ সন্মিলনৰ কাৰ্য্য শেষ হৈ গলেও সিবিলাক তেনেদৰেই থাকিব লাগিব। কাৰণ দেশৰ ভিতৰুৱা শৃঙ্খলতা ৰক্ষাৰ কাৰণে প্ৰত্যেক ৰাষ্ট্ৰীয় শক্তিয়ে যেনেকৈ কিছু সৈন্যবল ৰাখিব, পৰাধীন দেশ বিলাকক অধীনস্থ কৰি ৰাখিবলৈও সেই দৰে কিছু সৈন্যবল ৰাখিব। বাহিৰৰ পৰা যুদ্ধাদিৰ ভয় নাথাকিলেও স্বাধীন নোহোৱা পৰ্য্যন্ত সেই দেশত শান্তি স্থাপিত হব নোৱাৰে।

সাৱশেষত সকলো দেশৰে সামৰিক শক্তি সমানকৈ ৰাখিবলৈ দেশবিলাক ৰাজী হব পাৰে। কিন্তু তেতিয়াও জগতত শান্তি হব বুলি কব নোৱাৰি। দুখন বা বেছি দেশ লগ লাগি এখনক আক্ৰমণ কৰাৰ পথ তেতিয়াও মুকলি থাকিব। আচল কথা আন্তৰিক নিৰস্ত্ৰীকৰণ নহলে বাহ্যিক নিৰস্ত্ৰীকৰণে শান্তি আনিব নোৱাৰে। অন্তৰত যুদ্ধোদ্যম থাকিলে বাহ্যিক নিৰস্ত্ৰীকৰণ হলেও অস্ত্ৰ-শস্ত্ৰ যোগাৰ কৰিবলৈ কিমান বেলি! আৰু অন্তৰ যদি পবিত্ৰ হয় অন্তৰত যদি যুদ্ধোদ্যম মুঠেও নাথাকে তেন্তে অস্ত্ৰ-শস্ত্ৰেৰে পৰিপূৰ্ণ অস্ত্ৰাগাৰ এনেই পৰি থাকিব তাত কোনেও হাতকে নিদিয়ে।

আজি ১২ বছৰে মহাজাতি সঙ্ঘৰ নিৰস্ত্ৰীকৰণ শাখাই ইমান চেষ্টা কৰি থকা স্বত্বেও যে জগতৰ সামৰিক শক্তি দিনকে দিনে বৃদ্ধিহে হবলৈ ধৰিছে তাৰ মূল কাৰণ হৈছে যে মানুহৰ মন এতিয়াও পবিত্ৰ হোৱা নাই, লোকৰ অন্তৰৰ পৰা যুদ্ধোদ্যম এতিয়াও নিৰ্ম্মূল হোৱা নাই। য়ুৰোপৰ দেশবিলাকৰ ফালে চ'ক, দেখিবলৈ পাব সিবিলাকৰ ভিতৰত কাৰো প্ৰতি কাৰো বিশ্বাস নাই। স্পেনৰ ওপৰত ইটালীৰ সন্দেহ, ফ্ৰান্সৰ ওপৰত স্পেনৰ সন্দেহ, জাৰ্ম্মানীৰ ওপৰত ফ্ৰান্সৰ সন্দেহ, ৰুছীয়াৰ ওপৰত জাৰ্ম্মানীৰ সন্দেহ আৰু ৰুছিয়াৰ সন্দেহ গোটেই জগতৰ ওপৰত। আজি অলপ কেই সপ্তাহমান মাত্ৰ হ'ল জাৰ্ম্মানীৰ সচিবজনে (Minister of Defence) এখন সভাত বক্তৃতা দিওঁতে কৈছে যে ভাৰ্শাইলৰ সন্ধিসূত্ৰ ভঙ্গ হলেও জাৰ্ম্মানীৰ সামৰিক শক্তি বঢ়াবই লাগিব। ভাৰ্শাইলত জাৰ্ম্মানীৰ ওপৰত অন্যায় কৰা হৈছে। গোটেই জগৎ বিশেষকৈ ফ্ৰান্স অস্ত্ৰ শস্ত্ৰেৰে সুসজ্জিত হৈ থাকিব আৰু তাৰ ওচৰতে জাৰ্ম্মানী দাঁত ভগা সাপৰ দৰে অস্ত্ৰবিহীন হৈ থাকিব, ই কেতিয়াও হব নোৱাৰে। আগেয়ে ফ্ৰান্স প্ৰভৃতি দেশ বিলাক নিৰস্ত্ৰ হব লাগিব তাৰ পিছতহে জাৰ্ম্মানী। যেতিয়ালৈ এই অবিশ্বাসৰ ভাব তেওঁ লোকৰ অন্তৰত থাকিব তেতিয়ালৈ শত মহাজাতি সঙ্ঘ, শত নিৰস্ত্ৰীকৰণ সন্মিলন আহিলেও জগতলৈ শান্তি আনিব নোৱাৰে।

সেই বুলি নিৰস্ত্ৰীকৰণ সন্মিলনৰ আৱশ্যকতা আমি অস্বীকাৰ কৰা নাই। কেৱল ইয়াৰ দ্বাৰাই শান্তি নহব পাৰে কিন্তু শান্তিৰ আৱশ্যকতা আৰু বাহ্যিক নিৰস্ত্ৰীকৰণ, লগে লগে আন্তৰিক নিৰস্ত্ৰীকৰণৰো যে আৱশ্যক তাকেই আমাক মনত পেলাই দিয়ে। অন্তৰ পবিত্ৰ কৰিবলৈ ই আমাক সদায় খুচি দি থাকে। এজন পাশ্চাত্য পণ্ডিতে কৈছে This is a means and not the end কেৱল বাহ্যিক নিৰস্ত্ৰীকৰণেই আমাৰ উদ্দেশ্য নহয়। কিন্তু এই পন্থা অৱলম্বন কৰি চলিলেই আমাৰ উদ্দেশ্য যে সিদ্ধ হব তাত সন্দেহ নাই।

যাদুৰাম ডেকা বৰুৱা

জীৱনী—

—শ্ৰীযুত বেণুধৰ শৰ্ম্মা

যাদুৰাম ডেকা বৰুৱা অসমীয়া ভাষাৰ প্ৰথম অভিধান লেখোঁতা। ডাক্তৰ ফ্ৰেঞ্চিছ বুকানন্ চাহাব অসম-পৰিভ্ৰমণ কৰিবলৈ আহোঁতে ৰুচিনাথ নামেৰে এজন কামৰূপীয়ে অৰ্থাৎ কামৰূপ-কামাখ্যাৰ লোকে এখন অভিধান ১৮১০ চনত লিখিছিল। সেই পুথিখনত ভাষাৰ আউল ভাঙ্গিব পৰা কোনো নিয়ম বা পদ্ধতিৰ উল্লেখ নাই; আছে কেৱল কিছুমান শব্দৰ অৰ্থ। সেয়ে জানিবা বঙ্গালী "সংস্কৃতৰ"। মুঠতে সেইখন পুথিক অভিধান নুবুলি সংস্কৃত-বঙালী আৰু অসমীয়াৰ মাজত পাৰ্থক্য থকা কিছুমান শব্দৰ কোষ বা ৱৰ্ডবুক্ বুলিব পাৰি। অভিধান লেখাৰ নিয়ম পালন কৰি, আখৰ যোঁটনিৰ এটা ৰেহা লগাই (সৰ্ব্ববাদী-সম্মত নহলেও) প্ৰকৃত অসমীয়া ভাষাৰ পোন প্ৰথম অভিধান লিখিছিল স্বৰ্গীয় যাদুৰাম ডেকা বৰুৱাই। এই অভিধান লেখা হৈছিল সেই সময়, যেতিয়া অসমৰ চিৰস্তাত বঙ্গালী আমোলা ভৰপূৰ আছিল, অসম-বুৰঞ্জী লেখক ৰবিন্সন্ চাহাব আৰু দয়ালু কমিছনাৰ জেনকিন্স্ চাহাবে অসমীয়া ভাষাটোক 'uncouth and slovenly' অৰ্থাৎ গোবান্ধ্ লেতেৰা বুলি গালি পাৰিছিল আৰু ৺ বলোৰাম ফুকনে কবৰ দৰে "আচাম দেশত অচমীয়া ভাষা নচলাৰ কাৰণে চহা চহকিৰ মহাপ্ৰমাদ। বঙ্গালী পুথি এখনৰ ভাব জানিবলৈ ইচ্ছা হলে আধা খৰচিয়াকৈ বঙ্গালী ভাষা জনা পণ্ডিত মহাসয় সকলে অনুগ্ৰহ কৰি জি বুজায়, সেয়েই। গোচৰ হাৰি লাগিলেও উকিল মোচায় সকলে আমোলা মোচাই সকলে অনুগ্ৰহ কৰি যি দিহা বুধি দিএ তাকেই সাৰোগত কৰি মানি চকু মুদি পেট পেলাই পৰি থাকি, হৰ্স বা বিসাদ একবিধ ওপৰৰ পৰা পৰিলো জেন বুজি স্বিকাৰ কৰি থাকিবলৈ বাধ্য" হৈছিল!

দেশৰ ভাষা অসমীয়া, "দৰ্খাস্ত জবাব গোচৰ-হাৰি, চিঠি-পত্ৰ" লিখিব লাগে বঙ্গলা ভাষাৰে, তাতে আকৌ দেশাধিকাৰসকল অসমীয়া ভাষাৰ প্ৰতি বাম; এনে অৱস্থাত কেৱল অলীক তৰ্ক-যুদ্ধ নকৰি গুৰি-শকত ভাষা এটাৰ সম্পদখিনি উলিয়াই দিব পৰাটোৱেই হে প্ৰকৃত ভাষা প্ৰেমিকৰ কাম। আৰু এই কাম কৰিছিল অভিধান লিখি, যাদুৰাম ডেকা বৰুৱাই। ডেকা বৰুৱাৰ অভিধান খনি নোপোৱা হলে ব্ৰন্সন চাহাবে "ব্ৰহ্মপুত্ৰৰ সোঁত বলি থকাৰ দৰে বলি থকা অসমীয়া ভাষাৰ" অভিধান এখনি প্ৰচাৰ কৰি অসমীয়া ভাষাৰ অস্তিত্ব ডহডহলিয়া কৰিব নোৱাৰিলেহেঁতেন। অসমীয়া ভাষা নাই বুলি উৰাই দিয়া, অসমীয়া ডাঙৰীয়াসকলে বঙ্গলা ভাষাহে কয় বুলি বঙ্গালীৰ পক্ষ অৱলম্বন কৰা জেনকিন্স্ চাহাবৰো মগজুত ধৰা মামৰখিনি এই অভিধান নোলোৱা হলে কলপ কাটি ৰৈ গ'লহেঁতেন। বৰ পৰিতাপৰ বিষয় যে আজি আৰু সেই যাদুৰাম ডেকা বৰুৱাৰ অভিধানখনি ক'তো পাবলৈ নাই। কিন্তু তাৰ ফল ভোগ হলে কৰিবলৈ পায়েই আছোহঁক। অভিধানখন পোৱা নাযায় বুলিও আমাৰ জাতীয় পুথি-ঠগাত 'National Library' আৰু আমাৰ দেশত "কোন কি আছিল" (Who's Who) বুৰঞ্জীৰ পাতত যাদুৰাম ডেকা বৰুৱাই আছুতীয়া স্থান পাব লাগিব; আৰু আমাৰ দেশাত্মবোধ থকা জাগ্ৰত যুৱকসকলে ডেকা বৰুৱাৰ প্ৰাপ্য সন্মান দিব লাগিব।

১৭২৫ শকৰ পুহ মাহৰ ২৫ দিন যাওঁতে শুকুৰবাৰে নিশা ছয় দণ্ড মাৰোতে উত্তৰ লক্ষ্মীমপুৰৰ ঘিলাধাৰীত যাদুৰাম ডেকা বৰুৱাৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম কৃষ্ণদাস ভণ্ডাৰী বৰুৱা। চন্দ্ৰকান্ত সিংহৰ লগৰীয়া বিলাকৰ পৰিচয় দিওঁতে এজন বুৰঞ্জী লিখকে কৃষ্ণদাসৰ বিষয়ে এই বুলি কৈছে,—

"প্ৰথমতে বুঢ় ওজা লিগিৰাও হয়
মন্মথ সেনাপতি বোলে তাহাৰ তনয়,
মনাই-ধনাই আৰু চাৰিঙ্গীয়া হলি
বগা দমৰা, শিমলুগুৰীয়া আৰু মনসিন্ধু বায়ন,
কলাই, দৈচুঙীয়া বামুণ নাম জগধৰ
শিয়ো চাৰিঙ্গীয়া বৰুৱায়ো আলচৰ।
কৃষ্ণদাস ভণ্ডাৰি বৰুআ একজন
গন্ধিয়া ফুকন নাম চিত্ৰসেন।
এহি দুই জন নেথাকে সেহি আলচত
গুপ্তৰূপে কয় আসি মন্ত্ৰীৰ আগত।"

কৃষ্ণদাস চন্দ্ৰকান্ত সিংহৰ প্ৰধান বল্লভ আছিল। পূৰ্ণানন্দ বুঢ়া গোঁহাইৰ হুতাশনীয়া গৰ্ব্ব অহঙ্কাৰ চূৰ্ণ-বিচূৰ্ণ কৰিবলৈ তলে তলে যি গুপ্ত অভিসন্ধি চলিছিল তাত কৃষ্ণদাসে সৰ্ব্বান্তঃকৰণেৰে যোগদান দিছিল। ৰজাৰ ডঁৰি বনত বাস। পূৰ্ণানন্দ বুঢ়া গোহাঞি মন্ত্ৰী হলেও ক্ষমতাত ৰজাতকৈও অধিক। এইবাবেই ভিতৰি চন্দ্ৰকান্তৰ লগত তেওঁ যোগ দি বাহিৰে বুঢ়া গোহাঞিৰ লগত ভালেৰে আছিল। কৃষ্ণদাসক চন্দ্ৰকান্ত সিংহই ইমান ভাল পাইছিল যে তেওঁক বৰভণ্ডাৰ বৰুৱা বিষয় দি ৰজাৰ চাঙৰ গিৰিহঁত পাতিছিল আৰু ৰাজ-আভৰণ এসাজ দি ৰাজানুগ্ৰহৰ পৰিচয় দিছিল।

কলাবিদ্যা আৰু জ্ঞান অনুশীলত অসমৰ বাৰভূঞা কায়স্থসকল সকলোতকৈ উচ্চ খাপত। সেই বাৰভূঞাৰে সন্ততি কৃষ্ণদাসো জ্ঞানবিদ্যা চৰ্চ্চা কৰাত পাছ পৰা নাছিল। বদন বৰ ফুকনক ধৰিবলৈ যোৱাৰ সময়ত দেশত হুলস্থূল লাগিলত ল'ৰাই-ছোৱালীয়ে সৈতে কৃষ্ণদাস যুগীৰ ঘোপালৈ ভটিয়াই যায়। যাওঁতে য'ৰে বস্তু ত'তে থাকি গ'ল। কিন্তু তেওঁৰ তীৰ্থ কৌমুদী, জাপৰি কৌমুদী, অসমৰ বুৰঞ্জী পুথি, ভাগৱত আদি চল্লিছখনমান পুথি হলে এৰি থৈ যাবলৈ নহ'ল। সেইবোৰতে তেওঁৰ জীউটো' আছিল। বিদেশত থাকোঁতেও তেওঁ কেনেকৈ পুথি-পাঁজিৰ সাৱধান লৈছিল ভাবি চাব লগীয়া। অকল যে বঙ্গহ পৰিয়ালেৰে সৈতেই তেওঁ বিদেশলৈ গৈছিল এনে নহয়। লগত কুলপুৰোহিত, পূজাৰী পৰ্য্যন্ত সকলো গৈছিল। তেওঁবিলাকৰ হতুৱাই লগত নিয়া পুথিবোৰৰ পাত কিমান, কোনে লিখিছিল, কিমান পাত আছিল আটাইবোৰ কথা বিতংকৈ প্ৰত্যেকখন পুথিৰ পাতত লেখাই থৈছিল। এখন পুথিত এই অনুক্ৰমে লেখা পোৱা হৈছে :—

"১৭৩৭ শকৰ কাৰ্ত্তিকৰ ২৮ গতে
শ্ৰীৰাম দেউ ভট্টাচাৰ্য্যৰ পুতেক
শ্ৰীভৱদেউএ লিখাই শোধাইছি!"

শ্ৰীবাগীশ কৃত

তীৰ্থ কৌমুদী—১
আতে পত্ৰ—৮০টা
আৰু
জাপৰী কৌমুদী—১
আতে পত্ৰ—১৪০টা
বকলা—২
বস্ত্ৰ—১
পাট—১
ডোল—১
কাঁড় পাত—৪টা
জপা হল—২২৪টা

এইবিলাক সাধাৰণ কথাৰ পৰাই কৃষ্ণদাসৰ জ্ঞান উপাৰ্জ্জনলৈ কিমান ধাউতি আৰু সেই জ্ঞানৰ ভৰাল পুথিবিলাকলৈ কিমান মৰম বুজিব পাৰি। আমাৰ দেশত প্ৰায় ঘৰেপতি যে একোটা অমূল্য পুথি ভৰাল আছিল আৰু সেই পুথি-ভৰালবোৰ যে আটোম-টোকাৰিকৈ ৰখা হৈছিল ইও এটা তাৰেই প্ৰমাণ।

দেশ সুস্থিৰ হ'লত কৃষ্ণদাসৰ পৰিয়াল আহি যোৰহাটত বসতি কৰিবলৈ ললেহি। তাৰ পৰাই ডেকা যাদুৰামে নিউৱিল বৰ্ণেট চাহাবৰ লগত আমাৰ দেশৰ নতুন পুৰণি তথ্য অনুসন্ধান কৰি ফুৰিছিল। সেই সময়ত বৃটীছ সভ্যতাৰ জিলিঙনি দেখি আমাৰ দেশৰ কেইজনমান প্ৰতিভাবান সম্ভ্ৰান্ত লোকৰ মন নাচি উঠিছিল। অসম-ৰজাৰ মামৰে খোৱা ধাৰাবিধি, সমাজত চলি অহা গেলা ৰীতিনীতি, আঁকোৰগজালি ভাবে মানি ফুৰা অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ মূৰত তেওঁবিলাকে বাগী কুঠাৰ মাৰিবলৈ

কুকলি মাৰি উঠিছিল। হলিৰাম ঢেকিয়াল ফুকনে "অসম বুৰঞ্জী" যজ্ঞৰাম খাৰঘৰীয়া ফুকনে "হিন্দী অভিধান" কাশীনাথ তামুলী ফুকনে "বুৰঞ্জী আৰু অন্যান্য পুথি," দীননাথ বেজবৰুৱাই "আয়ুৰ্ব্বেদ শাস্ত্ৰ" লক্ষ্মীধৰ ফুকনে "পুৰণি আইনৰ সমালোচনা পুথি" মণিৰাম বৰ ভণ্ডাৰ বৰুৱাই "বাবভূঞা বুৰঞ্জী" "উদ্ভিদ তত্ত্ব" "খনিজ তত্ত্ব" আৰু এই প্ৰবন্ধৰ নায়ক যাদুৰাম ডেকা বৰুৱাই "বুৰঞ্জী-অভিধান-শাস্ত্ৰ" পুথি লিখি "খাৰখোৱা" "জঙ্গলী" আদি বদ্‌নামৰ প্ৰত্যাখ্যান কৰিছিল। এই সকলোটিয়েই ওচৰ চুবুৰীয়া বঙ্গালী ভাইসকলক দেখুৱাই দিছিল যে কামৰূপ সকলো বিষয়তে শীৰ্ষস্থানীয়।

তেতিয়া আমাৰ দেশত বাতৰি কাকত নাছিল। অন্ধবিশ্বাস আৰু কুসংস্কাৰত বুৰি থকা মানুহৰ মাজত বাতৰি-কাকতৰ আলোচনা-ফল বিলালে যে কি মহৎ উন্নতিৰ মহীকহ ফল পাবি তাক তেওঁবিলাকে সুস্পষ্টভাৱে উপলব্ধি কৰিছিল। সেই বাবেই তেওঁবিলাকে কলিকতাৰ পৰা প্ৰকাশিত হোৱা "সমাচাৰ দৰ্পণ" আৰু "সমাচাৰ চন্দ্ৰিকা"ত আমাৰ দেশৰ সম্বন্ধে নানান্ বিষয়ে আলোচনা কৰি, সেইবোৰ ওলোৱা কাকত আমাৰ মানুহৰ মাজত প্ৰচাৰ কৰিছিল। বাতৰি-কাকত প্ৰচলনৰ বাবে তেওঁবিলাকে ইমান যত্ন কৰিছিল যে "সমাচাৰ দৰ্পণে" এই বুলি মুক্তকণ্ঠে স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল :—

"এইক্ষণে আসাম দেশে যত সম্বাদপত্ৰ চলিত হয় তত বঙ্গদেশৰ মধ্যে কোন জিলাতে চলে না।"

এই দুখন বঙ্গ-ভাষাৰ কাকততে যাদুৰাম ডেকা বৰুৱাই লিখিবলৈ ধৰে। হলিৰাম ঢেকিয়াল ফুকনৰ "আসাম বুৰঞ্জী"খন ছপাই উলিয়াৰ পিছত যজ্ঞৰাম ফুকনে ডেকা বৰুৱাক এখনি বুৰঞ্জী উপহাৰ দিয়ে। সেই বুৰঞ্জী পঢ়ি চাই তেওঁ "সমাচাৰ দৰ্পণ"ত তাত থাকি মোৱা খুঁট এটিৰ বিষয়ে উদ্ধৃকিয়াই দিয়ে। পাঠকসকলে সেই বাতবিটি লেখাৰ ঠাঁচ, ডেকা বৰুৱাৰ বঙ্গভাষাজ্ঞান আৰু সেই কালৰ বঙ্গলাভাষাৰ আঁহি বুজিবৰ নিমিত্তে ডেকা বৰুৱাৰ গোটেইখনি চিঠি হুবহু তুলি দিয়া হ'ল। তেওঁ লিখিছিল—

"মহামহিম শ্ৰীযুত দৰ্পণ প্ৰকাশক
মহাশয় সমীপেষু

নিবেদনমিদং—বিশেষঃ এতদ্দেশীয় শ্ৰীযুত হলিৰাম ঢেকিয়াল ফুকন মহাশয় যে আসাম বুৰঞ্জী নামক এক পুস্তক প্ৰস্তুত কৰিয়াছেন তাহা তাঁহাৰ ভ্ৰাতা শ্ৰীযুত যজ্ঞৰাম ফুকন মহাশয় প্ৰীতিপূৰ্ব্বক আমাৰ নিকট প্ৰেৰণ কৰাতে দেখিলাম যে তাহা সংক্ষেপৰ মধ্যে অতি উত্তমৰূপে গ্ৰথিত হইয়াছে সন্দেহ নাই। কিন্তু কোন কোন স্থানে কোন কোন কথাৰ যে অন্যথা আছে তাঁহাতে অবশ্য স্বীকাৰ কৰিবেন। কেন না তৃতীয় খণ্ডৰ ৭ পৃষ্ঠায় দৃষ্ট হইল যে আশামৰ পূৰ্ব্ব সীমা তেজি নামকণ্ডকে নিৰূপণ কৰিয়াছেন। আমি জানি তাহা যথার্থ নহে। বস্তুতঃ ঐ স্থানৰ অন্তমান ১০০ ক্ৰোশৰ পূৰ্ব্বদিকস্থ পাতকাই নামক পৰ্ব্বতশ্ৰেণী। সে প্ৰকৃত সীমা যাহাৰ এক প্ৰশস্ত প্ৰস্তৱেতে * মহাৰাজ চুকাফা চিংফো দেশৰ ৰাজাৰ সহিত আপন সীমা নিৰ্দ্ধাৰ্য্য কৰিয়া আশাম অক্ষৰেতে গন্ত খোদাইয়া ৰাখিয়াছেন এবং যাহা ইং ১৮২৮ সনে লিউটেনেণ্ট বৰ্ণাট সাহেব মহাশয় দেশ ভ্ৰমণাৰ্থে গিয়া দেখিয়া আসিয়াছেন। ইহা তথা জানিয়া লিখিতেছি, দৰ্পণে অৰ্পণপূৰ্ব্বক সৰ্ব্বজনকে জ্ঞাত কৰিবেন ইহা নিবেদন। ইতি ১৮৩১, ২৯ আগষ্ট।

শ্ৰীজাদুৰাম ডেকা বড়ুয়া
মুন্সী এজেণ্টী
মুলুক ওপৰ আসাম॥"

'সতীযোৱা-প্ৰথাৰ বিৰুদ্ধে যজ্ঞৰাম ফুকন, কছাৰিৰ ওৱাহাটীবাসিনঃ, কেযাঞ্চিৎ আসাম দেশ বাসিনঃ' বাতবি-কাকতত আন্দোলন চলোৱাৰ বাহিৰেও যাদুৰাম ডেকা বৰুৱাই বুৰঞ্জী আৰু শাস্ত্ৰৰ প্ৰমাণ দি যুক্তিৰে সৰ্ব্বসাধাৰণক বুজাই দিছিল। আৰু এই বুলি গৱৰ্ণমেণ্টক সেই আইন চলাবলৈ অনুৰোধ কৰিছিল "যাহাৰা শ্ৰীহতা কৰণে উদ্যোগী তাহাৰা ধাৰ্ম্মিক, যাহাৰা প্ৰাণ ৰক্ষণে যত্নবান তাহাৰা দোষী—এমত জঘন্য ভাব যাহাৰা পোষণ কৰিয়া থাকেন তাহাৰা আপন কোন অঙ্গকে অগ্নিসঙ্গ কৰিয়া দেখুন দেখি কি সুখ হয়। * * * আমাদেৰ নিতান্ত ভৰসা আছে যে তাহাদেৰ ঐ দুৰাশা কদাচ সুবিবেচক পাৰ্লামেণ্ট কৰ্ত্তৃক পূৰ্ণা হইবেক না।" ডেকা বৰুৱা যে অকল সতী-যোৱা প্ৰথাৰেই বিৰোধী আছিল এনে নহয়, বিধৱা বিবাহৰো দুৰ্ণাম পক্ষপাতী আছিল। আৰু নিজে বিধৱা বিবাহ কৰাইছিলও।

জাতি কুটুম্বৰ হিতাকাঙ্ক্ষী বুলি সৰ্ব্বসাধাৰণ লোকে ডেকা বৰুৱাক ভক্তি আৰু সম্মানৰ চকুবেলে চাইছিলেই গৱৰ্ণমেণ্টেও তেওঁক ৰাজখোৱা উপাধি দি এডোখৰ মাটিৰ ওপৰত জমিদাৰ পাতি সেই সম্মানৰ পোষকতা কৰিছিল। পুবন্দৰ সিংহক লালবন্দীকৈ উজনি অসমৰ এছোৱা দিয়াৰ পিছত গৱৰ্ণমেণ্টে তেওঁক ১৮৩২ চনৰ ২০ জুলাই তাৰিখে নহয়াৰ ঘিলাধাৰীত ৰাজখোৱা পাতি এখন চনদ্ দিয়ে। চনদ্‌খনত মেজৰ আডাম হোৱাইট চাহাবে এই বুলি লিখিছিল

"আপোনাৰ আৰ্জ্জি মতে জনা গ'ল যে আপুনি ঘিলাধাৰী মহলৰ ছৰ্কাৰী জমা নিয়ম মতে পৰিশোধ কৰি জমিদাৰৰ নিচিনাকৈ আপোনাক কৰ্ত্তব্য সম্পাদন কৰিছে। ৰাজখোৱা পদৰ নিমিত্তে আপোনাৰ আৰ্জ্জি মঞ্জুৰ কৰা হ'ল আৰু আজিৰ পৰা আপোনাক ৰাজখোৱাও পতা হ'ল। আপুনি এইখন চনদ্ লৈ পকাপকি বন্দৱস্তত কাম কৰিব। সেই কাম সম্পাদনৰ বাবে আপুনি এই নিবিথে লগুৱা লিকুচৌ পাব। ২০ জুগাই, ১৮৩২ চন।"

মহলৰ নাম	পাইকৰ সংখ্যা	শতকৰা ২৭কৈ বাদ	বাকী পাইক	গৱৰ্ণমেণ্টৰ পাইক
ঘিলাধাৰী	১৯৬।০	৫৩	১৪৩।০	৯
ভুলাজৰা	১২।০	৩।০	৯	৯
চমুৱা	২	॥০	১।০	৮
ৰহতীয়া	১৪০		॥০	৩
দেৱলীয়া	১		১	৪
জমা	+লগুৱা লিকুচৌৰ খৰচে নৈতে			
১২৯০৲				
৮১৲				
১০৷৵০				
২৲				
৪৷৷০				
১৩৮৵০	মুঠ জমা			১৭৭৬৵০

* এই প্ৰস্তৱৰ লিপি উদ্ধাৰ কৰা হৈছে।

ৰাজখোৱাৰ কমিশ্চন	খাজনাৰ জমা	তহীলদাৰৰ কমিশ্চন
	১৪১৷০৲	
১৮০৲	১০৫৲	১৮০৲
	১৪৷৷০	২৪৲
	২৲	৪৲
	৪৷৷০	
	১৫৯৬৵০	২০৮৲

ঘিলাধাৰী :- এই মহল ডফলা পৰ্ব্বতৰ ধাঁতিত। ইয়াৰ পাইকৰ গোটত তিনটা পোৱা পাইক।

ভুলাজৰা :—ঘিলাধাৰীত থকা মানুহেই আৰু ঘিলাধাৰীৰ নিয়মেই নিয়ম।

চমুৱা :—ইয়াৰ বাবে ৮৲ টকা দিব লাগে কিয়নো ইয়াৰ পাইকে ১॥ খুৱা মাটিহে পায়।

ৰহতীয়া :—ডফলাৰ লগুৱা। সেইবাবে ডফলাক ৬৲ টকাকৈ আৰু বুটীহ গৱৰ্ণমেণ্টক ৩৲ টকাকৈ দিব লাগে।

দেৱলীয়া :—এইবিলাক সনকাৰ পাইক। সেইবাবে ৪॥০ অনাহে দিব লাগে।

আডাম হোৱাইট ॥০

চনদ্‌খনত চাব লগীয়া কথা এইটোৱেই যে সেই কালত ধনৰ প্ৰচলন হৈছিল যদিও মানুহ আৰু বস্তুৰ আৱশ্যকহে বেছি আছিল। তদুপৰি গৱৰ্ণমেণ্টে বুদ্ধিস্তম্ভিসম্পন্ন প্ৰতিভাবান লোককহে সেই সেই কাজবোৰীয়া কামত নিযুক্ত কৰিছিল। আৰু প্ৰাপ্য লোকে সম্মান পোৱাত সম্মানৰ লাঘৱ হব নোৱাৰিছিল। বিষয়ৰ দায়িত্ব বুজি চকীৰী কাম-কাজ সম্পাদন কৰা বাবে যাদুৰাম ডেকা বৰুৱা কতৃপক্ষসকলৰ ওচৰত বিশেষ আদৰৰ পাত্ৰ হৈ উঠিছিল। উজনি অসম খাচ দখললৈ অহাত কেপ্টেন ভেট্‌চ্ (Capt Vetch) চাহাবৰ সহকাৰী স্বৰূপে তেওঁ লক্ষীমপুৰ ডিভিশ্‌ণত কাম কৰে। সেই ছেগতে তেওঁ চিংফো-থামতী আৰু আবৰ দেশলৈ যায়। তাৰপৰা ঘুৰি আহি গোলাঘাট শিৱসাগৰত সদৰামিন হয়।

অসম দেশত অসমীয়া ভাষা চলাব নে বঙ্গলা ভাষা চলাব—এই কথা লৈ গৱৰ্ণমেণ্টৰ [কৰ্ত্তৃপক্ষসকলৰ মাজত

ঢোকা লাগি আছিল। যাদুৰাম ডেকা বৰুৱা মাৰ্জ্জিত বঙ্গলাত পণ্ডিত আছিল। তেওঁক পাদ্ৰী চাহাববিলাকে পণ্ডিত যাদুৰাম বুলিহে সম্বোধন কৰিছিল। অসমীয়া বঙ্গালীৰ মাত কথাত যে বিশেষ প্ৰভেদ আছে তাকে দেখুৱাবৰ নিমিত্তে তেওঁ এখন বঙ্গলা-অসমীয়া অভিধান লিখে। আৰু অভিধানখন লিখি অন্তাই সেই কালৰ সৰ্ব্বেসৰ্ব্বা গৱৰ্ণমেণ্টৰ প্ৰতিনিধি কেপ্টেইন জেনকিন্সক উপহাৰ বা ভেট দিয়ে। সেই পুথিখনকে আকৌ জেন-কিন্সে পাদ্ৰী চাহাবৰ হাতত দিয়ে। পাদ্ৰী চাহাবৰ মহলত এই পুথিখনৰ আদৰ আটাইতকৈ বেছি আছিল। কিয়নো, পাদ্ৰীসকলে অসম দেশত অসমীয়া ভাষা চলাবলৈ প্ৰাণ টাকি যত্ন কৰিছিল।

তেওঁবিলাকে ক-খ কিতাপবেপবা আৰম্ভ কৰি শুদ্ধকৰী বুৰঞ্জীলৈকে ছপাই অসমীয়া যে এটা বেলেগ ভাষা দেখুৱাই দিছিল। কিন্তু আমাৰ পুথিবোৰত আখৰ যোঁটনিৰ বেমেজালি দেখি তেওঁবিলাক অলপ আহুকালত পৰিছিল আৰু সংস্কৃত অসমীয়া বঙ্গালীৰ মাজত পাৰ্থক্য দেখুৱাবলৈ বৰ টান পাইছিল। এনেতে ডেকা বৰুৱাৰ অভিধান ওলাল। ওলাল মানে ছপা হৈ নহয়—হাতে-লিখা অৱস্থাত। পাদ্ৰী ব্ৰাউনে সেই হাতে-লিখা পুথিখনিকে পঢ়ি অসমীয়া ভাষাৰ আখৰ যোঁটনিৰ বেহা লাগিল বুলি আনন্দ প্ৰকাশ কৰিছিল।

যাদুৰাম বৰুৱাই উচ্চাৰণ অনুসৰি কোৱা আৰু লেখা ভাষাৰ গড় দিব খুজিছিল। তেওঁৰ মতে সংস্কৃত—সংস্কৃত, বঙ্গলা—বঙ্গলা আৰু অসমীয়া—অসমীয়া। অসমীয়াৰ উচ্চাৰণ, অসমীয়াৰ কথা কোৱাৰ গড় বঙ্গালীৰ লগত মমুলি নিমিলে, এতেকে অসমীয়াৰ উচ্চাৰণ অনুযায়ী আখৰ যোঁটনি হোৱা উচিত। এই বুলি তেওঁ

১। ই ঈ ৰ ঠাইত ই টোতে বাখিছিল।

২। উ ঊ ৰ উ টো উঠাই দিছিল।

৩। ৯ ৡ দুটা আখৰ অভিধানৰপবা উঠায়েই দিছিল।

৪। চ ছ ৰ পৰিবৰ্ত্তে চ আৰু ঠাই বুজি জ ঝ ৰ পৰিবৰ্ত্তে জ আখৰটোহে বাখিছিল।

৫। সংস্কৃতৰ শ, ষ আৰু স ৰ উচ্চাৰণ অকল স টোত হে বাখিছিল। কোনো অৰ্থ থকা নামবাচক শব্দৰ নিমিত্তে হে শ আৰু ষ টো বক্ষা কৰিছিল।

৬। অকল দন্ত্য ন ৰ ব্যৱহাৰ কৰিছিল।

৭। ক্ষ ৰ ঠাইত খ হে লিখিছিল।

৮। য ৰ ঠাই জ আৰু ঞ ৰ ঠাইত ঞি লিখিছিল। তেওঁৰ নিজৰ নামটোকে জাদুৰাম বুলিহে লিখিছিল।

উচ্চাৰণ অনুসৰি লিখা ভাষাৰ গড় লগাব পাৰিলেই যদি ভাষা সম্পূৰ্ণ হয়, তেন্তে যাদুৰাম বৰুৱাই গঢ়ি লিয়া আখৰ যোঁটনি মতে আমাৰ ভাষা সম্পূৰ্ণ।

অসমীয়া ভাষাৰ পোনপ্ৰথম ব্যাকৰণ লেখোতা ডেকা-বৰুৱাৰ অভিধান সম্বন্ধে Nathan Brown চাহাবে কৈছে "It was ..necessary to make the orthography correspond with the pronunciation.....The work which made the nearest approach to a regular system was a manuscript Bengalee dictionary, with Assamese definitions, prepared by Joduram Deka Borua, a learned Assamese Pundit. The orthography of this work was found to correspond much better with the actual pronunciation than any other that had been met with ; the great portion of the redundant letters were discarded, while the geneal forms of words agreed, for the most part, with these found in the Buronjis".

ডেকা বৰুৱাই অভিধানখন লিখে ১৮৩৯ চনত। "আসাম মিশ্বন"ৰ হাতত পবাত সেই পুথিৰ উদ্ধাৰি হেবাল। কিন্তু নল মবি গজালি ওলোৱা বাবেই হ'ক বা পাদ্ৰীসকলৰ উদাৰ গুণৰ বাবেই হ'ক ১৮৬৭ চনত ব্ৰহ্মন চাহাবে এখনি অভিধান ছপাই উলিয়ায়। সেই অভিধানৰ আখৰ যোঁটনি ডেকা বৰুৱাৰ অভিধানৰ দৰেই। জীয়া বস্তু ভাষাই যুগে যুগে ঠগ গঢ় সলোৱা স্বাভাৱিক সেইবাবেই ব্ৰহ্মনৰ অভিধান তল পৰি হেম বৰুৱাৰ "হেমকোষ" ওলাল আৰু পাদ্ৰী মুৰ চাহাবে কোৱাৰ দৰে

১৯০১ চনৰপৰা অসমীয়া ভাষাৰ আখৰ যোঁটনিৰ আউল লাগিল। আকৌ যে আউল লাগিব, লাগিলে ভাঙ্গিব লগীয়া হব তাক নো কোনে দুই কবিব পাবে ?

কিন্তু, আজিৰ ভাষাই আখৰ যোঁটনি আৰু উচ্চাৰণৰ মিটো গঢ় লৈছে সেইটো গঢ় বুটাছ আমোলৰ আদি যুগতে যাদুৰাম ডেকা বৰুৱাই দি গৈছে। কোনো বছৰেল নোলোৱাতহে তেওঁৰ আহি তলত পবি আছে। Esperants, spelling reform, cosmopolitan language সৃষ্টিৰ দিনত কোনে কব পাবে যে অসমতো আখৰ যোঁটনিয়ে উজু, পোন সৰল বাট নধবিব ? আৰু ধবিলেই "জাদুৰাম ডেকা বড়ুৱা"ই তেওঁৰ বিজয় নিছান ধবি আগত থিয় হবহি।

বিধৰাৰ আত্মকথা

গল্প—

—শ্ৰীযুত চাৰু চন্দ্ৰ গোস্বামী ব্যাকৰণ শাস্ত্ৰী

১৯২৭ চনৰ মাঘ মাহত মই নানা তীর্থ স্থান দৰ্শন কৰি গৈ, দহ দিন মানৰ কাৰণে কাশীধামৰ বিশ্বেশ্বৰৰ আশ্ৰয় গ্ৰহণ কৰিলোঁ গৈ। ধনপুৰৰ বজা বাহাদুৰৰ দালানতেই থাকি সেই কেইদিন গঙ্গাক বুকুত লৈ কিমান যে সুখ, কিমান যে শান্তি উপভোগ কৰিছিলোঁ তাক বৰ্ণনা কবা টান। ফেঁহু-জালি দিয়াবে পবা ছপৰ মান বাতি লৈকে কত যে সংসাৰ-জ্বালা-যন্ত্ৰণাত কাতৰ প্ৰাণীয়ে পতিত পাৱনী পবিত্ৰ গঙ্গা জলত বুৰ দি আৰু পাবত বহি তেওঁৰ গুণ বৰ্ণনা কৰি, কালাতিপাত কৰিব লাগিছে, তাক দেখিলে দুৰ্দ্দান্ত নবঘাতকীৰ হৃদয়তো যে ক্ষণেকলৈ ধৰ্ম্ম ভাবে দেখা দিব তাত অকণো ভুল নাই। আপুনি তাত দেখিব, অতি উচ্চবংশৰ বাজ বাজেশ্বৰেও সামান্য বেশেৰে আঠু লৈ আই গঙ্গাক প্ৰণাম জনাইছে, আঁজলিয়ে আঁজলিয়ে গঙ্গোদক মুখত লৈছে। পঞ্চ মহা পাতকীয়েও পৰিত্ৰাণ পাবৰ আশাবে আকুলহৈ,

গাঙ্গাং বাৰি মনোহাৰি মুবাৰি চৰণচ্যুতম্।
ত্ৰিপুবাৰি শিৰঃ চাৰি পাপহাৰ পুনাতুমাম্

বুলি গঙ্গোদকৰ ভিতৰত তেওঁৰ পাপ দেহা লুকাই আকৌ ক্ষণেকতে নিষ্পাপী হৈ জগতত দেখা দিছে; তাত তিবোতা পুৰুষ, ল'বা বুঢ়া বজা-প্ৰজা উচ্চ জাতি,হীন জাতি কোন ভেদ নাই। সকলোৱেই আই গঙ্গাৰ সন্তান, হিন্দুৰ পক্ষে এই দৃশ্য অতি পবিত্ৰ। মযো গঙ্গাস্নান, বিশ্বেশ্বৰ দৰ্শন আদি কবি দিন কটাবলৈ ধবিলোঁ।

ধনপুৰ বজাৰ দালান গঙ্গাৰ নিচেই কাষতেই ; এটি "গলি" বাট সেই দালানৰ কাষেদিয়েই গৈ কাশীৰ জনাকীর্ণ বিশ্বেশ্বৰ মন্দিৰৰ ফালে যোৱা ডাঙৰ "গলিত" লাগি-ছেগৈ। 'গলি' বাটট নিচেই সৰু হলেও তাত পথিকৰ অভাৱ নাই, অহা আছিছে, যোৱা গৈছে, সকলোৱেই নিজৰ গুচ উদ্দেশ্য সাধনত ব্যস্ত। বিধৱাসকলৰ গমনাগমনেই এই 'গলিত' বেছি বুলিব পাৰি। কাশীৰ বিধৱা আৰু দণ্ডী ভাৰত-প্ৰসিদ্ধ। নানা প্ৰদেশৰ বিধৱাবিলাকে আত্মীয় সংপ্ৰেৰণাতেই হ'ক নাইবা আন কোনো কাৰণেই হ'ক, এই পবিত্ৰ ক্ষেত্ৰ কাশীধামলৈ গৈ বিশ্বেশ্বৰ আৰু আই গঙ্গাৰ আশ্ৰয় লৈছে। ধনপুৰ বজাৰ দালানৰ

ওপৰত বহি সেই গলিয়েদি যোৱা পথিকসকলৰ চাল-চলন আৰু আওভাওঁলৈ লক্ষ্য কৰি, তেওঁলোকৰ গুপ্ত উদ্দেশ্যৰ উদ্ঘাহিত লবলৈ মই স্বভাৱতে সদায় ব্যস্ত আছিলোঁ। কিন্তু সেই পথিকসকলৰ ভিতৰত বিশ্বেশ্বৰ মন্দিৰলৈ অহা যোৱা কৰা ২৫।২৬ বছৰীয়া, এজনী বিধৱাৰ আকৃতি প্ৰকৃতিয়ে মোৰ মন বৰ বেছিকৈ আকৰ্ষণ কৰিছিল। যদিও তেওঁ মুখ ঘুৰাই বগা শাৰী পিন্ধি বঙ্গালী বিধৱাৰ গঢ় লৈছিল তথাপিও প্ৰথম দিনেই মই তেওঁক অসমীয়া তিৰোতা বুলি চিনিছিলোঁ। ৩।৪ দিন এইদৰে অহা যোৱা, কৰি থকা দেখি, এদিন মাত লগাবৰ মনেৰে, মই তেওঁৰ ওচৰ চাপিলোঁ। কিয় কব নোৱাৰোঁ, মোক দেখিয়েই তেওঁ ধং-মুৱা হৈ সিফাল মুখ কৰি খোজ দীঘলাই দিলে, কিন্তু মই আগ বাঢ়ি গৈ তেওঁৰ পবিত্ৰ খোজাত এইবাৰ আকৌ ধং আৰু লাজ কৰি "আমাৰ পবিত্ৰ কেন লাগে" বুলি আদ্-ৰঞ্জনুৱা ভাষাৰে উত্তৰ দিলে। তেতিয়া মংগা নম ভাৱেৰে কলো "মই অসমীয়া তিৰোতা যেন দেখিছোঁ, সেয়েহে মাত লগাইছোঁ, কিবা জগৰ লাগিলে ক্ষমা কৰিবা আই।" মোৰ কথা শুনি তিৰোতা জনী শান্ত হ'ল। দীঘলকৈ চমুনিয়াহ এটা কাঢ়ি উত্তৰ দিলে, "আপুনি ঠিক কথা কৈছে, মই অসমীয়া তিৰোতা সঁচা, আজিলৈ মোৰ পবিত্ৰ ইমানকৈহে দিলোঁ, এতিয়া বিশ্বেশ্বৰ দৰ্শন কৰিবলৈ যাওঁ।"

পিছদিনা বাতি পুৱা গঙ্গাস্নান, বিশ্বেশ্বৰ দৰ্শন আদি তীৰ্থকৃত্য সাং কৰি আহি তেতিয়া মই ধনপুৰ ৰজাৰ দালানৰ দুৱাৰ মুখ পালোঁহি তেতিয়া দেখিলোঁ, আগদিনাৰ সেই বিধৱা জনীয়ে চাৰি বছৰীয়া এটি ল'ৰাৰ গালে-মুখে হাত ফুৰাই "বোপাই, বেগতে স্কুললৈ যোৱা গৈ" বুলি চকুপানী টুকিছে। ল'ৰাটোৱে হলে তেওঁৰ চকু পানীলৈ মন নকৰি ডেও দিলৰ মাৰিলে। এই দৃশ্যটো দেখি মোৰ বুজিবলৈ অলপো বাকী নাথাকিল যে এই বিধৱাৰেই এইটি ল'ৰা। তেনেহলে বিধৱাৰ বুকুত বেহাৰৰ ফুল যেন এই ল'ৰাটি থাকোতেও বেজাৰ কেলেই? আনন্দময়ী অন্নপূৰ্ণাৰ গৃহপালিতা হৈও এওঁৰ কিহৰ অভাৰ? এনেবিলাক চিন্তাই মোৰ মনত ঘুন্দিয়াবলৈ ধৰিলে। তেওঁৰ ওচৰ চাপি গলোঁ; আৰু তেওঁৰ লগতে গৈ তেওঁৰ থকা ঠাই পালোঁগৈ। মোৰ লগত কথা পাতোঁতে তেওঁৰ কান্দোন ওলাল। এনেতে ঘৰ সাৰি থকা বুঢ়ী এজনী আহি তেওঁক নিচুকাই গ'লহি। তেতিয়া তেওঁ মোৰ ফালে চাই গহীন ভাৱে কবলৈ ধৰিলে "আপুনি মোক মাত দি কিয় মোৰ দুখাবলৈ ওলোৱা জুই আকৌ জলায়? আজি ৮ বছৰ, অসমীয়া মানুহৰ মুখ দেখিবলৈও নেদেখা ভাও ভুৰি পলাই সাবিছিলোঁ। পুৰুষ মোৰ শত্ৰু, অসমীয়া পুৰুষ তাতোকৈয়ো শত্ৰু বুলি ভয়ত বিশ্বেশ্বৰৰ ছাঁত লুকাই আছোঁহি, ইয়াতে আহি আপুনি বিচাৰি উলিয়ালে কিয়? যিকি নহ'ক ইমান দিনৰ সকলো কথা আজি আপোনাৰ আগত কম। তেওঁ উচুপি উচুপি কবলৈ ধৰিলে —"কি শুনিব মোৰ দুখৰ কথা! মোৰ গাভৰু কালৰ কথা এখন ৰামায়ণ। কব গ'লে হিয়া ভাঙি যায়। কিন্তু তথাপি আজি আপোনাৰ আগত কম। ই মোৰ হিয়াত তুলিব নোৱাৰা বোজা এটা চপাইছে। জানোবা আপোনাৰ আগত উগাৰিলে অলপ শান্তি পাওঁহেঁতে, কি জানি মনটো অলপ পাতল পবেই। আপোনাৰ ঘৰ আমাৰ চুপকুছি গাওঁবপৰা কিমান দূৰত?' মই কলোঁ "মোৰ ঘৰ কামৰূপত নহয়, মোৰ ঘৰ গোলাঘাটতহে, মই চুপকুছি কথা কব নোৱাৰোঁ।" মোৰ কথা শুনি তেওঁ ইফালে সিফালে চাই কবলৈ ধৰিলে, "মোৰ কব লগীয়া কথা বহুত, আপুনি যেন শুনি আমনি নাপায়। মোৰ ঘৰ কামৰূপ জিলাৰ চুপকুছিত। মই পিতাৰ একমাত্ৰ আলসুৱা ছোৱালী আছিলোঁ। পিতাৰ ভগাছিগা ঘৰ কেইটাৰ বাহিৰে মাটি সম্পত্তি সমুলি নাছিল বুলিবও পাৰি। তেওঁ সৰুবেপৰা বঙ্গাল খাটিছিল। * মই কি কুক্ষণত উপজিছিলোঁ, কব নোৱাৰোঁ। জন্মৰ ১১ দিনৰ দিনাই আইৰ মুখ খালোঁ। সেই এঘাৰ দিনবে পৰা, আজিলৈকে মোৰ সুখ নহ'ল। আই মৰিলতে, আমাৰ ঘৰতে বাৰী হৈ থকা পেহীয়েই বোলে মোক কোলাই-বোকাই ডাঙৰ কৰিলে। ডাঙৰ কৰিলে হয় কিন্তু পিছলৈ তেনেই মোৰ কাল হ'ল। কথা বিধাতাই তেওঁক মাৰিবলৈও নেদেখিলে। পিতা বহুকেত্ত দুৱাৰ কি তিনি বাৰকৈছে ঘৰলৈ যাব পাৰিছিল। সেই কেই বাৰতেই টকা-পইচা, ধৰি-খেৱ দি লাগে, কেতিয়া গোটাই দি থৈ আছে। আমি তাকে খৰচ ভগাৰ কৰি খাওঁ। লাহে লাহে মোৰ বয়স বেতিয়া ৭।৮ হ'ল, তেতিয়া মই আমাৰ ঘৰৰ সকলো কথা জনা হলোঁ। এদিন এজন মানুহ আহি কপহীৰ লগত কিবা কথা পাতি গ'লহি। মই ঘুমুচাইতৰ ঘৰত থাকোঁতেই গ'ল। মানুহজনক দেখা নাপালোঁ। পিছ দিনা কপহীয়ে মোক কলে "মনুনা, কালি যে আহিছিল, সেই বিধিয়েকক দেখিলিনে?" মই শুনি বৰ ভয় পালোঁ। এনাহ মানৰ পিছত সেইজন মানুহেই মোক বিয়া কবালে। বিয়াৰ দিনা বাতি মানুহে হলে কৈছিল, দৰা শহৰেকতকৈও ২ বছৰৰ ডাঙৰ। তেতিয়া পিতাৰ বয়স আছিল ৫৮ বছৰ। ইপিনে হোমৰ ওৰিহ হোম দি থাকোঁতেই মোৰ স্বামীৰ ককলা কেবেচ কৰাত আমাৰ ভিতৰলৈ হাতত লাগুচ এডাল লৈহে গৈছিল। যিহ'ক মই স্বামী-মুখ নেদেখিলোঁ। এদিন বাতিপুৱা কাঁহি-বাটি দুই থাকোঁতেই পেহীয়ে আহি মোৰ কপালৰ সেন্দুৰ মোহাবি পেলালে; হাতৰ খাৰু সোলোকাই লৈ গ'ল। মোৰ হেনো স্বামী মৰিল। মই হেনো বাৰী হলোঁ। মই তেতিয়া মনতে ভাবিলোঁ, বাৰী হলোঁ যদি হলোঁ, তেনেতো আলৰ বুঢ়া কেলেই? বোপা দেউ! লাহে লাহে তেতিয়া মই ডাঙৰ হৈ আহিলোঁ তেতিয়া বুঢ়া হ'ক ঠেৰা হ'ক, মই মোৰ স্বামীৰ কথা ভাবোঁ। কিন্তু কি হব। তেওঁৰ কপ মোৰ কল্পনাত নাহে। তেওঁক মই দেখিবলৈ নাপালোঁ। হিন্দু মূৰ্ত্তি-পূজক, কিন্তু মই হিন্দুৰ বিধৱা হৈ স্বামী-গুৰুৰ মূৰ্ত্তি কল্পনাবে পূজা কবিবলৈ নাপাই নিজে নিজেই পুৰি দেই আধা-মৰা হৈছিলোঁ।" বিধৱাজনীৰ এইবিলাক কথা শুনি শুনি মোৰ বুকুখন গধুৰ লাগিবলৈ ধৰিলে। কোনোবা এখন ভাব-বাজুলৈ মোৰ মনটোৱে ধোঁৱা-চুটি মেলোতেই ধৈর্য্যকপ লৈকাম গছ ভালকৈ টানি ধৰি 'ও' বুলি আকৌ তেওঁৰ কথালৈ কাণ দিলোঁ। বিধৱাৰ চকু ফাটি তেতিয়াও নিজৰা বৈছিল। তেওঁ কৈ গৈছে "মোৰ বুঢ়া স্বামী মৰা শুনি মই নাকান্দিলেও পেহীয়ে হলে আমাৰ মাৰল ঘৰৰ চুকত বহি ভালকৈ উচুপি উচুপি কান্দিলে। কথাটো পিছতহে গম পালোঁ। তাহানি ভোজপুৰৰ বৰ মেলেকীয়ে হেনো ১০৲ টকা লৈহে পেহী আৰু মোৰ স্বামীৰে বদনাম হৈছে বুলি শত্ৰুৱে পতা মেলখন ভাঙিছিল।

মোৰ ১৭।১৮ বছৰ মান নৌহওঁতেই পিতাৰো মুৰ খালোঁ। তেতিয়া আমাৰ দুখ কুলাই পাচিয়ে নধৰা হ'ল। মই আৰু পেহী খুৱাহতঁৰ ঘৰৰ ওচৰতেই ভগা ঘৰ এটাত থাকি দিন কটাবলৈ ধৰিলোঁ। কাৰবাৰ ঘৰৰ বিয়া সবাহত ভিতৰৰ কাম কবিবলৈ মোক মাতি নিয়ে। মহো নিজৰ ঘৰৰ দৰে কবি দি আহোঁ। গৈ। কোনোৱেৰ মৰম কবি কাপোৰ এখন, পাই-পইছা এটা দি সহায়ো কবে। এদিন আমাৰ ঘৰৰ ওচৰৰে কেশ ঠাকুৰৰ ঘৰৰ বিয়াটেই পেহী আৰু মোক চুয়োকো মাতিলে। আমি চুয়ে গৈ বিয়াৰ দিনা ওৰে বাতিটো কাম কাজ, লাচনি-পাচনি কবি দিলোঁগৈ। বাহি বিয়াৰ দিনা ঘৰলৈ আহিবৰ সময়ত পেহীয়ে এটা অচিনাকি মানুহ মাতি আনি মোক দেখুৱালে। মানুহটো ডেকা। মোৰ গা বেজালে। মই এখন্তেকো নবৈ ঘৰলৈ ওচি আহিলোঁ। কেইদিন মানৰ পিছত এদিন সন্ধ্যা লাগিবৰ সময়ত সেই মানুহ জনেই হাতত কিহবাৰ টোপোলা এটা লৈ আমাৰ ঘৰ ওলালগৈ; তেতিয়া পেহী ঘৰত নাছিল, মানুহজনে পোনে পোনেই আমাৰ ভিতৰ ঘৰ পালেগৈ। তেতিয়া মোৰ বৰ ভয় আৰু লাজ লাগিছিল। তেওঁ কিন্তু মুখেৰে মৰম কবি বহুত কথা কলে। অৱশ্যে সেইবোৰ কথা শুনি তেওঁলৈ মোৰ ভক্তিও জন্মিল। তেওঁ মোৰ হাতত দুখন গাত-লোৱা কাপোৰ দি ওচি গ'ল। পেহী আহিলত তেওঁৰ মুখে শুনিলোঁ, মানুহজন হেনো বৰ ভাল, আৰু বামুন। কেইদিনমানৰ পিছৰ পৰাই মানুহজন দিনে দিনে আমাৰ ঘৰলৈ আহিবলৈ ধৰিলে। মোৰ লগত নানা ছলেবে নানা তৰহৰ কথা পাতি মোৰ হৃদয়-বাজাৰ বঙ্গা হৈ

* পূৰ্ব্ব বঙ্গত গৈ ভালেমান কামৰূপৰ ব্ৰাহ্মণে যজমান কৰে। তাকেই কামৰূপত বঙ্গাল-খটা খোলে।

পৰিল। পেহীয়েও এই দৰবাৰত সহায় নকৰা নহয়, প্ৰথম কেইদিনমান মই বৰ আপত্তি কৰিছিলোঁ, কিন্তু তেওঁ মোৰ আগত বহত শাস্ত্ৰৰ কথা আৰু বৰ্ত্তমান দেশৰ আন্দোলনৰ বিষয়ে কৰলৈ লাগিল। দ্বিধৰাই পুনৰ বিবাহ কৰাৰ পাৱে বুলি তেওঁ কেবাটাও শ্লোক মাতি শুনালে। মানুহৰ গজনাৰ ভয়ত কোনোবা দেশলৈ গৈ চাকৰি কৰি মহা সুখে জীৱন কটাম গৈ বুলি, মোক ফুচুলাবলৈ ধৰিলে। সদায় চখত কাল কটোৱা মোৰ পক্ষে তেওঁৰ মৰম মোৰ বৰ মিঠা লাগিছিল। তেতিয়া আমি দুয়ো গুপুত প্ৰেম-মদিৰাৰ নিছাত মতলীয়া হৈ গোটেই পৃথিবীখনকে এখন প্ৰেমৰ উদ্যান যেন পাইছিলোঁ।

লাহে লাহে মোৰ ঠেঙা হ'ল। তেতিয়া তেওঁৰ মনৰ ভাব ল'বিল। আমাৰ ঘৰলৈ কমকৈ অহা হ'ল। আহিলেও কিবাকিবি ভাবি-চিন্তি বেগতে গুচি যায়। এদিন দুপৰমান ৰাতি তেওঁ আহি মোক কিবা এটা ঔষধ খাবলৈ বৰকৈ ধৰিলে, তেতিয়া মই সকলো কথা বুজিলোঁ, ভয়ত মোৰ হাত ভৰি কঁপিবলৈ ধৰিলে। গৰ্ভত থকা সন্তানটিলে মোৰ দয়া হ'ল। মই ঔষধ খাই পাপ নকৰোঁ বুলি ভেকাহি মাৰি খেদি দিলোঁ। সেইদিনা সেই দবেই গ'ল। পিছদিনা পেহীয়েও দেখোন বাটি এটাত এটোপা পানী আনি শপত দি মোক খাবলৈ ধৰিলে। মই বুজ পাই নাখালোঁ। পেহীয়ে সমাজৰ ভয় দেখুৱাই মোক খাবলৈ কলে। মই কিন্তু সেইবোৰ কথালৈ কাণকে নকৰিলো, মই যি নাখালো নাখালোয়েই। ভাবিলো মোৰ যি হব লগা আছিল, সি হ'ল। পাপৰ ওপৰতে আকৌ পাপৰ মাত্ৰা বঢ়াওঁ কিয়? এই সন্তানটিৰ পৰাই কিজানি মোৰ সুখেই হয়। এই বিলাক ভাবি চিন্তি থাকোঁতেই এদিন পেহীয়ে কামাখ্যা দৰ্শন কৰিবলৈ যাব লাগে বুলি মোক কলে। কথাটো শুনি মঞে বৰ বং পালো। আমাৰ অভিভাৱক হ'ল মোৰ সেই উপপতি ব্ৰাহ্মণ জন। তেওঁক দেখা পাই মোৰ মন টেঙাল। যি কি নহ'ক মৰণত শৰণ দি তেওঁৰ লগতে ওলালো, কামাখ্যাত কোনো মতে ডুমুকিয়ে মৰা হ'ল। তেওঁ আমাক নি ব্ৰহ্মপুত্ৰৰ দাঁতিৰ এঘৰ মানুহৰ ঘৰত থলেগৈ। সেই ঘৰ গৃহস্থজন এজন খ্যাতিমন্ত ভদ্ৰ পুকৰ। দুদিনৰ পিছত সেই পুকৰজনে মোৰ সৰ্ব্বনাশ সাধা সেই বামুনজনক লৈ মোৰ ওচৰ চাপিল। তেওঁৰ মুখত শাস্ত্ৰৰ কথা শুনিলে পৰি পৰি সেৱা কৰিবৰ মন যায়। তেওঁৰ আদৰ সাদৰ পালে, তেওঁৰ দাসী হৈ জীৱন কটাবৰ ইচ্ছা হয়। কিন্তু তেওঁৰ অন্তৰৰ গুপুত উদ্দেশ্যৰ খবৰ লব পৰা নাছিলো। পাৰিলে তেওঁক নৰকৰ কীট যেন লাগিল হয়। তেৱোঁ মোক প্ৰথমে আদৰ সাদৰ কৰি আৰু নানা শাস্ত্ৰীয় উপদেশ দি, শেষত ঔষধ খাবলৈ উপদেশ দিলে। তেওঁৰ উপদেশ মোৰ মনত নালাগিল। মই নাখাওঁ বোলাত নানা ভয় দেখুৱাই মোক তিনি দিন খাবলৈ নিদিয়াকৈ থৈছিল। কত দিন যে মোক কাটিবলৈ দা তুলিছিল, তাৰ সীমা নাই। বৰ পিয়াহতো পানী এটোপা খাবলৈ নাপাইছিলো। মই কিন্তু হিমালয় পৰ্ব্বতৰ দৰে অচল আৰু লুইতৰ দৰে গহীন গম্ভীৰ হৈ, উমানন্দৰ ফালে চাই দিন কটাইছিলোঁ।

* * * *

তাৰ পিছত কোনো উপায় নেদেখি সেই বামুনে মোক কাশীলৈ অনাৰ স্থিৰ কৰিলে। কাশীত কোনো ভয় নাই, তাত নিৰ্ভয়েৰে দুয়ো থাকিব পাৰিম বুলি মোক বুজালে। ময়ো ভাবি গুণি স্বীকাৰ কৰিলোঁ। তেতিয়া পেহীয়ে মোক আৰু এবা দিলে; বাটত আহোঁতে কেইবা ঠাইতো সোমাই মোক ঔষধ খাবলৈ ধৰিছিল যি হ'ক। ভোকে লঙ্ঘনে হাড়-ছাল লৈ এই খিনি পালোহি। এই বঙ্গালী টোলাৰ এটা দালানৰ কোঠাত মোক সুমাই থলেহি। তাত বেলি পোহৰ নপৰে; চাবিওপিনে গেলা-পেচাৰ গোন্ধ। তিনি দিনমান তেওঁ মোৰ লগতে আছিল। এদিন সন্ধ্যা সময়ত বিশ্বেশ্বৰৰ আৰতি চাবলৈ যাওঁ বুলি তেওঁ অফুট হ'ল। তেওঁ আহিব বুলি, ছুৱাৰ মুখত বহি, চকুৰ পানী টুকি দিন কটাবলৈ ধৰিলো; কিন্তু তেওঁ আৰু নাহিল। সেই দিনৰ পৰাই কাশীত মই অকলশৰীয়া হলো। ভোকত প্ৰাণ যায়; উপায় নাপাই গাত থকা কাপোৰ-কানি বেচি পেট প্ৰৱৰ্ত্তাবলৈ ধৰিলো। শেহত সিও টুকাল। এদিন এজন মানুহ আহি বেঙেৰেঙাই মোৰ সেই কোঠাটোৰ ভাড়া খুজিলেহি, মই ক'ৰপৰা পইছা দিম বুলিলত, মোক গলত ধৰি উলিয়াই দিলে। তেতিয়া মই নিকপায় হৈ এজোপা ডাঙৰ বেলগছৰ তলত থাকিবলৈ ললো। পেটত আহাৰ নাই; গাত কাপোৰ নাই; থাকিলেই ঘৰ নাই; তেনে অৱস্থাতে মোৰ এই সন্তানটিৰ জন্ম হ'ল। কিছুমান সময় অজ্ঞান হৈ পৰি থাকি জ্ঞান পাই ইনাই বিনাই বহুত কান্দিলোঁ। মোৰ কান্দোন শুনি এই বুঢ়ী জনীয়েই মোৰ ওচৰ চাপিল। এখন ফটা কাপোৰ আৰু ঘটাময়া ভাত দিলে। তাকে খাই লৈ ৰাতি ল'ৰাটো তাতে এৰি, গঙ্গাত বুৰ মাৰি প্ৰাণ এবোঁগৈ বুলি ওলালো। গঙ্গাৰ জলত ভৰি দিছো, এনেতে এটা বৰ প্ৰকাণ্ড ত্ৰিশূলধাৰী পুকৰ আহি মোৰ ডিঙিত ধৰি মোক আকৌ পাৰলৈ লৈ গ'ল। মানুহটো আৰু দেখা নাপালো। মোৰ মৰিবৰ ইচ্ছা নোহোৱা হ'ল। চাঁত কৰে ল'ৰাটোলৈ মনত পৰিল; ততালিকে উলটি আহি ল'ৰাটৰ ওচৰ পাই দেখোঁ দেখোন ল'ৰাটৰ গাত আৰু চাৰিওফালে কেথাবনিও কাপোৰ পৰি আছে; আৰু অলপ দূৰতে কিছুমান খোৱা বস্তুও পৰি থকা দেখিলো। এই সকলোবিলাক বিশ্বেশ্বৰৰ কৰুণা বুলি ভাবি সেই দিনা ৰাতি তাতে পৰি থাকি পিছদিনা পুৱা ল'ৰাটি বুকত লৈ অলপ দূৰ গৈ এজন বঙ্গালী বাবুৰ আশ্ৰয় ললোগৈ। ঈশ্বৰৰ ইচ্ছাত তেৱেঁই জানিবা মন কৰি মোক তেওঁৰ ঘৰতে থাকিলে।

* * * *

এতিয়া মই তেওঁৰ ঘৰতে কাম কাজ কৰি দিওঁ। ল'ৰাটোৰ এতিয়া ৭ বছৰ মান হৈছে; ফুলত পঢ়ে। দুপৰীয়াৰ সাজ এই ধনপুৰ বজাৰ অন্নশালাতেই খাই যায়হি। তাৰ নাম তৰুণ। অথনি আপুনি তাক দেখিছিল হবলা। এই ল'ৰাটিৰ কাৰণেই মই কতনো শাস্তি, কতনো দুখ ভোগ কৰিলো তাৰ সীমা সংখ্যা নাই। আশীৰ্ব্বাদ কৰিব, যেন ভালে থাকে। শুনিছো মোৰ সৰ্ব্বনাশ কৰা বামুন জন হেনো এতিয়া আমাৰ তাত সমাজত বৰ ডাঙৰ মানুহ হৈ পৰিছে। সমাজৰ হেনো তেওঁহে বিলনীয়া।

বোপাদেউ! এয়ে মোৰ জীৱনৰ কাহিনী; আপুনি এইবোৰ কথা আমাৰ তাত উলিয়ালেও উলিয়াব পাৰে। মোৰ তাত হকা-বন্ধা নাই। কিন্তু মোৰ বিশেষ অনুৰোধ সেই বামুনৰ আৰু সেই গুৱাহাটীৰ ভদ্য পুকৰজনৰ নাম আপুনি নকব। জানোবা তেওঁবিলাকক সমাজত কোনোবাই ধৰে। তেওঁবিলাক সুখেৰে থাকক। মই তাত বিধিনি নঘটাওঁ।" ইয়াকে কৈ তেওঁ চকু-পানী টুকিবলৈ ধৰিলে।

বিধৰাৰ এই আত্মকথা আমি আমাৰ বাইজক উপহাৰ দিলো।

জাতীয় সঙ্গীত

কিহেৰে পূজিম, দুখানি চৰণ,
হে মোৰ অসমী আই, হে মোৰ অসমী আই॥
ধনে জনে আই, লখিমী স্বৰূপা,
সপোনৰ সৰগী ঠাই, হে মোৰ অসমী আই॥
ফলে ফুলে গাঁচে, তোমাৰে পাৰতে,
তাতায়ে গছে শৰাই,
তোমাৰে শুৱনী, মনোমোহা ছবি,
তথা লাগি থাকোঁ চাই;
হে মোৰ অসমী আই॥
বীৰৰে জননী, সতীৰে জননী, চেনেহী জননী আই,
হিয়াতে নধৰে উলাহৰে ভাৰ, তোমাৰে কীৰিতি গাই,
হে মোৰ অসমী আই॥

ব্যাহবৰাৰী—কাৱালী

ৰচনা, সুৰ, সুৰলিপি :—শ্ৰীযুত কীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈ

১ম অস্থায়ী

০	১	+	৩
ম ম প	ম প ম ঋ	ঋ ম প	ম প ম ঋ
কি হে ৰে	পু উ জি ইম্	দু খা নি	চ অ ৰ অণ

০	১	+	৩
ঋ ম প	ধসা ধপ ম	ঋ ম প	ধসা ধপ ম
হে এ মোৰ	অঅ সমী আই	হে এ মোৰ	অ অ সমী আই

২য় অস্থায়ী

০	১	+	৩
ধ সা সা	সা সা	ধ সা ঋ	সা ঋ সা ধ
ধ নে জ	নে আই	ল খি মী	স্ব অ ৰু পা

০	১	+	৩
ধ সা ধ	পধ মপ ধ	ঋ ম প	ধসা ধপ ম
স পো নৰ	সঅ ৰগী ঠাই	হে এ মোৰ	অ অ স মী আই

অন্তৰা

০	১	+	৩
ধ সা সা	সা সা সা	ধ সা সা	ঋ ঋ ঋ
ফ লে ফু	লে যা চে	তো মা ৰে	পা ৱ তে
বী ৰ ৰে	জ ন নী	স তী ৰে	জ ন নী

০	১	+	৩
সা ঋ গ	ঋ সা ধ সা	ঋ	ঋ
ল তা য়ে	গ অ ছে শ	ৰা	আই
চে নে হী	জ অ ন নী	আ	আই

০	১	+	৩
সা ঋ ঋ	সা ঋ ঋ গ	সা সা ধ	ধ সা ঋ ঋ
তো মা ৰে	শু উ ৱ নী	ম নো মো	হা আ ছ বি
হি য়া তে	ন অ ধ ৰে	উ লা হ	ৰে এ ভা আৰ

০	১	+	৩
সা ঋ সা ধপা	ম প ধ	ঋ ম প	ধসা ধপ ম
ত ধা লা গিই	থা কো চাই	হে এ মোৰ	অ অ স মী আই
তো মা ৰে কী	ৰি তি গাই	হে এ মোৰ	অ অ স মী আই

(লিপি সঙ্কেতৰ বাবে আমাৰ ৰচিত "সুৰপৰিচয়" চ'ক—লিখক)

স্বৰ্গতত্ত্ব আৰু নৰকতত্ত্ব বা যাম্যলীলা

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্ৰীযুত পদ্মেশ্বৰ গগৈ এম-এ

ঋক্‌বেদৰ অঘমৰ্ষণ সূক্তৰ তিনটি মন্ত্ৰৰ ব্যাখ্যা

ঋক্‌বেদৰ অঘমৰ্ষণ সূক্তৰ তলত দিয়া মন্ত্ৰ তিনিটাৰ শ্ৰীমৎ স্বামী যোগানন্দ সৰস্বতীৰ দ্বাৰা অৰ্থ ভাঙ্গনি :—

"ঋতঞ্চ সত্যঞ্চাভিদ্ধ্যাৎ তপসো অজায়ত।
ততো ৰাত্ৰি অজায়ত ততঃ সমুদ্ৰো অৰ্ণবঃ॥ ১
সমুদ্ৰাৎ অৰ্ণবাদধি সংবৎসৰো অজায়ত।
অহোৰাত্ৰাণি বিদধৎ বিশ্বসৎ সিষতো বশী॥ ২
সূৰ্য্যাচন্দ্ৰমসৌ ধাতা যথা পূৰ্ব্বমকল্পয়ৎ।
দিবঞ্চ পৃথিবীঞ্চান্তৰীক্ষ ময়োঽঃ॥ ৩

—(ঋক্‌বেদ ১০ম। ১৯০সূঃ)

এতিয়া ব্যাখ্যা কৰিবৰ আগতে সংক্ষেপে এইখিনিত কেইটামান কথা কৈ যোৱা য'ক। ঋগাদি বেদৰপৰা জনা যায় যে সমগ্ৰ ভূমণ্ডল এসময়ত জলময় আছিল। সেই জল বা সমুদ্ৰ গৰ্ভৰপৰা মেৰু বা আণ্টাই পৰ্ব্বত আৰু হিমালয় পৰ্ব্বত সকলোতকৈ আগেয়ে জাগি উঠিছে। আণ্টাই পৰ্ব্বতৰ সানু প্ৰদেশত মঙ্গ বা মঙ্গোলিয়া (বৈদিক দ্যো বা দ্যাবা) আৰু হিমালয়ৰ সানুত পৃথিবী (বৈদিক নাম) বা ভাৰতবৰ্ষ, এই জনপদ দুখনৰ উৎপত্তি হয়। সেই কাৰণেই ঋক্‌বেদত লিখা আছে "মহীদ্যাবা পৃথিবী জ্যেষ্ঠে" অৰ্থাৎ মহীমণ্ডলত দ্যাবা আৰু পৃথিবী বা মঙ্গোলিয়া আৰু ভাৰতবৰ্ষ সবাতকৈ আগেয় উৎপন্ন হয়। ঋক্‌বেদৰ আৰু এঠাইত লিখা আছে "দ্যাবা ভূমী জনয়ন্ দেবঃ একঃ" অৰ্থাৎ দ্যাবা আৰু ভূমি বা মঙ্গোলিয়া আৰু ভূলোক বা ভাৰতবৰ্ষ সেই অদ্বিতীয় দেৱেই উৎপন্ন কৰিছিল, তাৰ পিছত "ভূব ইতি অন্তৰীক্ষম্" (তৈত্তিৰীয় উপনিষদ) অৰ্থাৎ পশ্চিম মহাসমুদ্ৰৰ গৰ্ভৰপৰা ভূবলোক বা অন্তৰীক্ষলোকৰ উৎপন্ন হয়।

এতিয়া দেখা যায় যে প্ৰথমতঃ স্ব বা স্বৰ্লোক (মঙ্গোলিয়া আদি স্বৰ্গ), ভূলোক বা ভাৰতবৰ্ষ আৰু ভূবলোক বা অন্তৰীক্ষলোক উৎপন্ন হয়। সহজ কথাত আদিতে ভূ, ভূব আৰু স্ব এই তিনি লোকেই আছিল, তেতিয়া চতুৰ্থলোক নাছিল। শতপথব্ৰাহ্মণত লিখিছে "স যদিমান্ লোকান্ অতি চতুৰ্থমস্তি ন বা" অৰ্থাৎ ভূ, ভূব আৰু স্ব এই তিনি লোকৰ বাহিৰে চতুৰ্থলোক আছিল নে নাই। সেই সময়ত মঙ্গোলিয়াৰ উত্তৰে উত্তৰ সমুদ্ৰ বিৰাজ কৰিছিল, এই বিষয়ে তৈত্তিৰীয় ব্ৰাহ্মণত লিখিছে "স সমুদ্ৰ উত্তৰতঃ প্ৰাজ্বলৎ ভূম্যন্তেন, স ভূম্যন্ততঃ যৎ বেদ্যন্তঃ" অৰ্থাৎ সেই সময়ত এই উত্তৰ মহাসমুদ্ৰ "বেদান্ত" অৰ্থাৎ উত্তৰবেদী বা সীমা বিজ্ঞাপক মঙ্গোলিয়াৰ উত্তৰে আছিল, এই উত্তৰ মহাসমুদ্ৰৰপৰা বহু কালৰ পিছত সত্যাদি লোকৰ উৎপত্তি হয়, ব্ৰহ্মাই সেইবিলাক ঠাইৰ নাম "দিব" ৰাখে, এয়েই পিছত উত্তৰ কুৰু বা চাইবেৰিয়া নামে জনাজাত হৈ চতুৰ্থ লোক হৈছে। সেই গতিকেই ওপৰত কোৱা মন্ত্ৰটিৰ শেষত চাৰি লোকৰ নাম লিখা দেখা যায়—যেনে দিব, পৃথিবী, অন্তৰীক্ষ আৰু স্ব। ইয়াৰপৰা সুস্পষ্ট অনুমেয় হৈছে যে এই ঋক্‌বেদৰ মন্ত্ৰ তিনটি সৃষ্টি বিষয়ক বিবৃতি মাত্ৰ, এক কথাত ভৌগোলিক বৃত্তান্ত বিশেষ।

ব্যাখ্যা :—

১ম মন্ত্ৰ মন্ত্ৰত থকা ঋত আৰু সত্য একেটা অৰ্থৰে দ্যোতক যেনে "ঋতসৎ ইত্যেষ বৈ সত্যসৎ" (ঐতৰেয় ব্ৰাহ্মণ), কিন্তু বৈদিক কোষত ঋত শব্দৰ অৰ্থ "সত্যবাক্য, যজ্ঞ আৰু ঋতক সত্যলোক" বুলি ধৰিছে। বৰ্ত্তমান মন্ত্ৰত শেষৰ অৰ্থটোৱেই সঙ্গত, এতেকে "ঋতসৎ" বোলোতে ঋত বা সত্যলোকত বাস কৰে যিসকল তেওঁলোক ঋতসৎ

নামে খ্যাত, আৰু "তপ বা তপস্যা" শব্দ প্ৰকৃতি পৰ্য্যায়িক, শ্ৰুতিত লিখা আছে "মায়াস্তু প্ৰকৃতিং বিদ্যাৎ মায়ীনন্তু মহেশ্বৰং"। গতিকে প্ৰথম মন্ত্ৰটিৰ অৰ্থ এইমতে হব,যেনে :—

চৈতন্য অৱস্থা প্ৰকৃতাত্মক উত্তৰ মহাসাগৰৰ গৰ্ভৰ পৰা ৰক্ত বা সত্যলোক আৰু ৰাত্ৰি নামৰ লোক বা জনপদৰ উৎপত্তি হৈছে আৰু তাৰ পিছত পশ্চিম মহাসমুদ্ৰৰ গৰ্ভৰপৰা সমুদ্ৰাখ্য অন্তৰীক্ষ লোকৰ উৎপত্তি হ'ল (সমুদ্ৰ অন্তৰীক্ষ পৰ্য্যায়িক শব্দ (Cf. Jaska's নিৰুক্ত))। এই অন্তৰীক্ষই ভুবলোক যেনে "ভূৰ ইতি অন্তৰীক্ষম্" (তৈত্তিৰীয় উপনিষদ্) এই অন্তৰীক্ষ বা ভুবলোকত গন্ধৰ্ব্ব আৰু অপ্সৰাবিলাকৰ বাস কৰে যেনে "আন্তৰিক্ষ্যাঃ যাঃ প্ৰজা গন্ধৰ্ব্বাপ্সৰশ্চ যে সৰ্ব্বন্তাঃ" (তৈত্তিৰীয় ব্ৰাহ্মণ)। সেই গতিকেই কঠ শ্ৰুতিত এই গন্ধৰ্ব্ববিলাকক "অন্তৰীক্ষসৎ" বুলিছে। মহাভাৰতত লিখিছে "অন্তৰিক্ষস্থ বিষয়ে প্ৰজা ইৱ চতুৰ্ব্বিধাঃ।" ইয়াত 'বিষয়' শব্দই জনপদ (যেনে বিষয় স্থাং ইন্দ্ৰিয়ার্থে দেশে জনপদেষ্বপি—অমৰকোষ) অৰ্থাৎ 'অন্তৰীক্ষ জনপদৰ ব্ৰাহ্মণ ক্ষত্ৰিয়াদি চাৰি বৰ্ণৰ প্ৰজাৰ নিচিনা'। আচাৰ্য্য সায়নে কৈছে "অন্তৰীক্ষ্যে দ্যাবা পৃথিব্যো মধ্যবৰ্ত্তি লোকে" অৰ্থাৎ যি দ্যাবা বা মঙ্গোলিয়া আৰু পৃথিবী বা ভাৰতবৰ্ষৰ মধ্যভাগত সেয়েই অন্তৰীক্ষ। কব পাৰি যে দ্যাবা পৃথিবীৰ মধ্যভাগ তিব্বত আৰু তাতাৰ, এই কথা পূৰ্ণভাৱে সত্য, কিন্তু ইতিপূৰ্ব্বেই কোৱা হৈছে যে প্ৰথমে দ্যাবা, পৃথিবীৰ উৎপত্তি হয়, তাৰ পিছত অন্তৰীক্ষৰ উৎপত্তি, তাৰ পিছতহে তিব্বত আৰু তাতাৰ সমুদ্ৰ গৰ্ভৰ পৰা জাগি উঠিছে। সেই গতিকেই "অন্তৰীক্ষ"ক দ্যাবা পৃথিবীৰ মধ্যভাগ বোলা হৈছে। এতিয়া কথা হৈছে যে য'ত ব্ৰাহ্মণাদি চাৰিবৰ্ণৰেই প্ৰজা বাস কৰে, য'ত গন্ধৰ্ব্ববিলাক বাস কৰে, যত অহাযোৱাৰ সুগম পথবিলাক আছে এনে অন্তৰীক্ষক, অন্তৰ্ধ্যে ঈক্ষতে দৃশ্যতে ইতি অন্তৰীক্ষম্ অৰ্থাৎ যি উৰ্দ্ধ আৰু অধঃ ইয়াৰ মধ্যভাগ সেয়ে শূন্য আৰু সেয়ে অন্তৰীক্ষ এই বুলি কেনেকৈ কোৱা যায়? ইয়াত অন্তৰীক্ষ শূন্য অৰ্থত নহয়। জনপদ অৰ্থত হে ব্যৱহৃত হৈছে। ইফালে ঋক্বেদত কৈছে,

"সমুদ্রিয়া অপ্সবসঃ" (৯ মণ্ডল ৭৮।৩) সমুদ্ৰ বা অন্তৰীক্ষবাসী সকলেই অপ্সৰজাতীয় আৰু সমুদ্ৰ অন্তৰীক্ষবেই পৰ্য্যায়িক শব্দ বুলি আগেয়ে কৈ অহা হৈছে। এই অন্তৰীক্ষ জনপদতে বকণৰ সমুদ্ৰাখ্য অন্তৰীক্ষ জনপদতেই দেৱ বৰুণৰ নগৰ আছিল। এতেকে বুজা গ'ল যে বৈদিক অন্তৰীক্ষলোক আৰু পৌৰাণিক গন্ধৰ্ব্ব আৰু অপ্সৰবিলাকৰ আলয়ৰূপ গান্ধাৰ দেশ একেই অভিন্ন। এই গান্ধাৰদেশ সম্বন্ধে ৰামায়ণত কৈছে 'মহাৰাজ ভৰতে গন্ধৰ্ব্ববিলাকৰ আবাসভূমি গান্ধাৰদেশ জয় কৰি তাত তক্ষশিলা আৰু তক্ষশিলা আৰু পুষ্কলাবতী (বৰ্ত্তমান পেচোৱাৰ, কাৰণ সেই সময়ত গান্ধাৰদেশ ইতিবৃত্ত। এই পেচোৱাৰ পৰ্য্যন্ত বিস্তৃত আছিল) নামৰ নগৰ দুখন সংস্থাপন কৰি তক্ষ আৰু পুষ্কল নামে তেওঁৰ পুত্ৰ দুজনক যথাক্ৰমে তাত প্ৰতিষ্ঠিত কৰিছিল। যেনে, "তক্ষং তক্ষশিলায়াং তু পুষ্কলং পুষ্কলাবর্ত্তে। গন্ধৰ্ব্বদেশে কচিৰে গান্ধাৰ বিষয়ে॥" (উত্তৰ কাণ্ড ১৯ সৰ্গ ৮ অঃ) এতিয়া ভালকৈ বুজা গ'ল যে বৈদিক অন্তৰীক্ষ-লোক আৰু বৰ্ত্তমান আফগানিস্থান একেই। বেদত কৈছে যে "ত্রিনবন্তীক্ষম্" (ঋক্বেদ ৪ মণ্ডল ৫৩।৫) অৰ্থাৎ তিনি পিতৃভূমি (মঙ্গোলিয়া, তাতাৰ আৰু তিব্বত) আৰু তিনি মাতৃভূমিৰ (আৰ্য্যাবৰ্ত্ত, দাক্ষিণাত্য আৰু পূৰ্ব্ব উপদ্বীপ) নিচিনা অন্তৰীক্ষও তিনিখন যেনে—আফগানিস্থান, পাৰস্য আৰু তুৰস্ক।

ইতিপূৰ্ব্বেই ১ম মন্ত্ৰৰ ব্যাখ্যাৰ সময়ত কোৱা হৈছে যে

২য় মন্ত্ৰ। সত্যাদি লোক (উত্তৰ কুৰু বা দিব) উত্তৰ মহাসমুদ্ৰৰ পৰা উঠাৰ পূৰ্ব্বেই মঙ্গোলিয়াৰ উত্তৰৰ পৰা গোটেই ছাইবেৰিয়া উত্তৰ সমুদ্ৰৰ গৰ্ভত নিমগ্ন আছিল। তৈত্তিৰীয় ব্ৰাহ্মণত কৈছে "সঃ সমুদ্রঃ উত্তৰতঃ প্রজ্ঞজ্ঞে ভূম্যন্তেন এষ...স সমুদ্রঃ যচ্চাত্মালঃ এষ উ ভূম্যান্ত যৎ বেত্তস্তঃ" অৰ্থাৎ ভূম্যন্ত যৎ বেত্তস্ত পৃথিবীৰ বা ভাৰতৰ উত্তৰ বেদী বা সীমা মঙ্গোলিয়া তাৰ পিছত উত্তৰে এটি চাত্তাল বা গাঁত, সেয়েই উত্তৰ সমুদ্ৰ। এই উত্তৰ সমুদ্ৰৰ পৰা পিছত সংবৎসৰ জনপদ আৰু অহঃ আৰু ৰাত্ৰি

জনপদ অলপ কালৰ ভিতৰত উৎপন্ন হ'ল। এইখিনিত "মিষত" শব্দই 'দেখা' বুজাইছে, মিষতাং পশ্যতাং যেনে, "দৈৱণে যত্র কর্ণেন ধর্ম্মরাজো যুধিষ্ঠিৰঃ। সংশয়ং গমিতো যুদ্ধে মিষতাং সর্ব্বধন্বিনাম্।" (মহাভাৰত, আদি পৰ্ব্ব ২য় অঃ ২৭৪ শ্লোক) অৰ্থাৎ 'কর্ণ আৰু যুধিষ্ঠিৰ উভয়ৰে দৈৱৰথ যুদ্ধৰ সময়ত অজ্ঞান ধনুৰ্দ্ধৰবিলাকে দেখি ভাবিছিল যে কর্ণই যেন যুধিষ্ঠিৰক বধ কৰি পেলায়'। অহঃ আৰু ৰাত্ৰি জনপদৰ ব্যাখ্যা ওপৰত কৈ অহা হৈছে।

এইদৰে উত্তৰ সমুদ্ৰৰ পৰা সংবৎসৰাদি জনপদ চাৰিখন উৎপন্ন হোৱাত স্বয়ম্ভুৱ ধাতা ব্ৰহ্মাই এই

৩য় মন্ত্ৰ সমগ্ৰ ভূভাগৰ নাম "দিব" ৰাখিলে, এয়েই তৃতীয় ব্ৰহ্মলোক। ব্ৰহ্মাই চন্দ্ৰক পূৰ্ব্বৰ নিচিনাকৈ (যেনেকৈ মঙ্গোলিয়াত প্ৰতিষ্ঠিত কৰিছিল) সংবৎসৰ জনপদ আৰু ভ্ৰাতৃ সূর্য্যক অহঃ আৰু ৰাত্ৰি জনপদত প্ৰভু স্বৰূপে সংস্থাপিত কৰিলে। মুঠতে চাৰিখন প্ৰদেশ উৎপন্ন হ'ল যেনে—দিব (চাইবেৰিয়া), পৃথিবী (ভাৰতবর্ষ), অন্তৰীক্ষ (আফগানিস্থান, তুৰস্ক আৰু পাৰস্য) আৰু দ্যৌ মঙ্গোলিয়া, তাতাৰ আৰু তিব্বত। ভূগোলত ঋক্বেদৰ সকলোতকৈ প্ৰাচীন হলেও ঋক্বেদীয় এই সৃষ্টিয়েই আদি নহয়, ইয়াৰ পূৰ্ব্বেও সৃষ্টি আছিল।

মনু-স্মৃতিত তিনজন ব্ৰহ্মাৰ নাম দেখা যায় যেনে—

(১) স্বয়ম্ভু বা আত্মভূ ব্ৰহ্মা, যি বেদান্তৰ বিশুদ্ধ চৈতন্য বা ভূমা পুৰুষ, এওঁ অজ আৰু শাশ্বত অৰ্থাৎ সদায় ব্ৰহ্মা তিনিখন বৰ্ত্তমান (সনাতন)। বায়ু পুৰাণত এইবিষয়ে লিখিছে যে "নোৎপাদিতত্বাৎ পূর্ব্বত্বাৎ স্বয়ম্ভূস্থিতি চোচ্যতে (২) স্রষ্টা বা পিতামহ ব্ৰহ্মা (কুটস্থচৈতন্য আৰু (৩) কশ্যপ-পুত্ৰ সুবজ্যেষ্ঠ ধাতা ব্ৰহ্মা।

প্ৰথম ব্ৰহ্মলোক মেৰুপৰ্ব্বত শৃঙ্গত, মঙ্গোলিয়া বা ইলাবৃতবর্ষত। ই পিতৃলোক নামে প্ৰখ্যাত, কাৰণ সুবজ্যেষ্ঠ লোক পিতামহ ব্ৰহ্মা ব্ৰহ্ম কশ্যপপুত্ৰ ৰূপে সৃষ্টি হৈ সর্ব্বপ্রথমে এই ঠাইতে বাস কৰে। কিছুমান দিনৰ তিনিখন ব্ৰহ্ম লোকৰ কথা পিছত ব্ৰহ্মা বৈমাত্ৰেয় ভ্ৰাতা অসুৰবিলাকৰ দ্বাৰা বিতাড়িত হৈ ভাৰতৰ অন্তর্ভূত পূর্ব্বোপ-দ্বীপত গৈ উপনিবেশ সংস্থাপন কৰিলে, আৰু তেওঁৰ নামানুসাৰেই পিছত সি ব্ৰহ্মলোক, ব্ৰহ্মদেশ বা বর্ম্মা নামে কথিত হয়। পিছত কনিষ্ঠ ভ্ৰাতা ইন্দ্ৰ আৰু বিষ্ণুৰ প্ৰবল পৰাক্ৰমত দানৱবিলাক পৰাজিত আৰু স্বর্গৰপৰা বিতাড়িত হোৱাত ব্ৰহ্মাই পুনৰ স্বর্গৰ ব্ৰহ্মলোক অধিকাৰ কৰে আৰু পৰিশেষত তাক ভ্ৰাতা ইন্দ্ৰৰ হাতত সমর্পণ কৰি নিজে উত্তৰ কুৰু বা উত্তৰ ছাইবেৰিয়ালৈ গৈ নতুন ৰাজ্য সংস্থাপন কৰিলেগৈ। এয়ে তৃতীয় ব্ৰহ্মলোক, উত্তৰ কুৰু নামে খ্যাত।

—শেষ



বিশ্ব প্ৰৱাহ

ভাৰতীয় খেলুৱৈসকলৰ সমাদৰ—

ভাৰতীয় খেলুৱৈসকলে দেশ বিদেশত খেলি তেওঁলোকৰ কৃতিত্ব দেখুৱাই আন দেশৰ মানুহৰ দৃষ্টি আকৰ্ষণ কৰিব ধৰিছে। বৰ্ত্তমান আন্তৰ্জাতিক প্ৰায় সকলো



লছ এঞ্জেলছত অলিম্পিক খেলৰ ভাৰতীয় খেলুৱৈসকলৰ সংবৰ্দ্ধনা

খেলত ভাৰতীয় খেলুৱৈসকলে যোগদান দি ভাৰতৰ মানুহেও শাৰীৰিক উৎকৰ্ষ সাধনত কৃতকাৰ্য্যতা দেখুৱাই জগতৰ আন আন জাতিৰ লগত যে সমানে খোজ মিলাই যাব পাৰে, তাৰ নিদৰ্শন দাঙ্গি ধৰি ভাৰতৰ গৌৰৱ ৰাখি আহিছে আৰু বৰ আনন্দৰ কথা যে আন আন সভ্য জাতিসকলেও ভাৰতৰ প্ৰাপ্য সন্মান দেখুৱাবলৈ অলপো সঙ্কোচ বোধ কৰা নাই। সকলো ক্ষেত্ৰতে ভাৰতে আন্তৰ্জাতিক সমানাধিকাৰ পাবলৈ সক্ষম হব বুলি আমি সহজে আশা কৰিব পাৰোঁ।

ভাৰতৰ সামৰিক চৰ্চ্চা—

আজি গোটেই পৃথিবীৰ এটা ডাঙৰ সমস্যা হৈছে জগতত কেনেকৈ শান্তি স্থাপন কৰা যায়—যুদ্ধৰ অৱসান কেনেকৈ হব? বিশ্ব জাতি সঙ্ঘই তাৰ প্ৰথম চেষ্টা কৰিছে নিৰস্ত্ৰীকৰণৰ ভিতৰেদি ৰণসজ্জা হ্ৰাসৰ আলম লৈ। কিন্তু বিশ্ব জাতি সঙ্ঘৰ চেষ্টা ফলৱতী হবনে নহয় সি এতিয়াও অনিশ্চিত; কাৰণ সকলো জাতিৰ ভিতৰত এটা ঘোৰ অবিশ্বাসৰ ভাব সদায় আছে, সেয়েহে কোনেও বিশ্বজাতি সঙ্ঘৰ বাণী মানি চলিবলৈ গাত লব পৰা নাই। জগত একেবাৰে নিৰস্ত্ৰ হৈ সেই শান্তিৰ যুগ কেতিয়া আহিব, তাক সহজে অনুমান কৰা টান; কাৰণ ইয়াৰ আগতে মানুহৰ এটাই আনটোৰ ওপৰত আধিপত্য চলাবৰ স্বভাৱগত ইচ্ছাৰ আমূল পৰিবৰ্ত্তন হব লাগিব। সেই বাবে অন্ততঃ আত্মৰক্ষাৰ কাৰণে সমৰ শিক্ষা আৰু অস্ত্ৰ-শস্ত্ৰ এৰিব নোৱাৰিব।

ভাৰত এতিয়া প্ৰায় নিৰস্ত্ৰ অৱস্থাত, কিন্তু শাসনৰ পৰিবৰ্ত্তনৰ লগে ভাৰতৰ মানুহৰো অন্ততঃ নিজৰ আত্মৰক্ষাৰ কাৰণে অস্ত্ৰ-শস্ত্ৰ আৰু সমৰ শিক্ষা থাকিব লাগিব। অৱশ্যে সুখৰ কথা যে ইয়াৰ আৱশ্যকতা বোধ কৰি জাতীয় সমৰ শিক্ষাৰ ব্যৱস্থা হব ধৰিছে। বম্বেৰপৰা কেইজনমানক চেণ্ড্‌হাৰ্ষ্ট মিলিটাৰী কলেজলৈ শিক্ষাৰ কাৰণে পঠিয়া হৈছে। তাৰ উদ্দেশ্য, তেওঁলোকে শিক্ষা লৈ আহি যেন ভাৰতীয় জাতীয় সৈন্যবল গঠন কৰিব পাৰে। কিন্তু এয়ে যথেষ্ট বুলি কব নোৱাৰি, কিয়নো ভাৰতে আনৰ সহায় নলৈ নিজে সম্পূৰ্ণভাৱে আত্মৰক্ষা কৰিবলৈ সক্ষম এতিয়াও হোৱা নাই।



চেণ্ড্‌হাৰ্ষ্টত ভাৰতীয় সামৰিক শিক্ষাৰ্থীদল

পানীৰ মাজত তাছ-খেলা—

মিষ্টাৰ কেৰল নামে বৈজ্ঞানিক এজনে সাঁতুৰিবলৈ এটি নতুন কৌশল উদ্ভাৱন কৰিছে। যিটো যন্ত্ৰ তেওঁ আবিষ্কাৰ কৰিছে, তাক সেই সেই সাঁতোৰা পোছাকৰ



নতুন ধৰণে আমোদ

লগত লগাই ললেই, গভীৰ সমুদ্ৰৰ মাজতো পানীত তল নোযোৱাকৈ ওপঙি থাকিব পাৰি। ছবিত দেখা কেইজনে সেই যন্ত্ৰৰ সহায়েৰে পানীৰ মাজত তাছ খেলিছে।

সামৰিক স্কুলৰ শিক্ষাৰ্থী—

এইবাৰ ভাৰতীয় সামৰিক বিদ্যালয়ত ভৰ্ত্তি হবলৈ পোন্ধৰ জন ভাৰতীয় ছাত্ৰক প্ৰতিযোগিতামূলক পৰীক্ষাৰ



মাষ্টাৰ এন-কে সিংহ

ফল চাই নিৰ্ব্বাচিত কৰা হৈছে। সেই সকলৰ ভিতৰত মাষ্টাৰ এন-কে সিংহও এজন। তেওঁ পাটনাৰ ৰেলৱে পুলিছ ছুপাৰিণ্টেণ্ডেণ্ট মিঃ সিংহৰ পুতেক আৰু বিহাৰী ছাত্ৰসকলৰ ভিতৰত এই স্কুললৈ নিৰ্ব্বাচিত হোৱাত তেৱেঁই প্ৰথম।

কুঁহিয়াৰ খেতিৰ ভবিষ্যত



ৰাও বাহাদুৰ ৰমণ

যোৱা শাওন সংখ্যা 'আৱাহন'ত কেনেকৈ কুঁহিয়াৰৰ পৰা অলপ মূল ধনতে চেনি তৈয়াৰ কৰিব পাৰি তাক দেখুৱা হৈছে।

সম্প্ৰতি মাদ্ৰাজৰ কইম্বাটোৰ (Coimbatore) কেন্দ্ৰৰ ইম্পিৰিয়েল চুগাৰ কেইন ব্ৰিডিং ষ্টেশ্যনৰ ৰাও বাহাদুৰ ভেনকাটা ৰমণে পৰীক্ষা কৰি দেখুৱাইছে যে ইমান দিনে যি কুঁহিয়াৰ ১০ মাহ নাইবা ১২ মাহত কাটি পেৰিবৰ উপযুক্ত হৈছিল। এতিয়াৰপৰা সেই কুহিয়াৰ মাথোন ছ মাহতে তেনে উপযুক্ত হব। সঁচাকৈ ৰাও বাহাদুৰৰ এই আবিষ্কাৰে কুঁহিয়াৰ খেতিৰ যুগান্তৰ উপস্থিত কৰিছে। ভাৰতবাসীয়ে এই আবিষ্কাৰৰ সুযোগ ললে নিশ্চয় লাভৱান হব পাৰিব।

কামেট-বিজয়—

মানুহৰ চেষ্টাৰ অসাধ্য জগতত একো নাই! কামেটৰ নিচিনা হিমালয়ৰ অতুচ্চ গিৰিশৃঙ্গয়ো মানুহৰ চেষ্টাত পৰাজয় মানিলে। মহাসমৰৰ পিছৰপৰা এভাৰেষ্ট পৰাজয় কৰিবলৈ এবাৰ দুবাৰ নহয় ছয়বাৰ অভিযান কৰা হয়। লগতে কাঞ্চনজঙ্ঘা আৰোহনৰ অভিযানো কেবা বাৰো

হয়। এভাবেই পৃথিবীৰ ভিতৰত আটাইতকৈ ওখ টিং আৰু দ্বিতীয় কাঞ্চনজঙ্ঘা। সেইবাবে এই দুই শৃঙ্গৰ পৰাজয়ৰ চেষ্টাই প্ৰথম হয়। ১৯২৭ চনত এভাৰেষ্টত উঠিবৰ তৃতীয় বাৰ চেষ্টা হোৱাৰপৰা হিমালয়ৰ আন শৃঙ্গ এটিত উঠিবৰ



কামেট-অভিযান

আৰু চেষ্টা হোৱা নাছিল। কিন্তু ১৯৩০ চনত হিমালয়ৰ অন্যতম শৃঙ্গ কামেট-বিজয় চেষ্টা প্ৰথমে কৰে মিঃ স্মাইথে। তেওঁৰ ১৯৩১ চনত ২৫,৪৪৭ ফিট ওখলৈ কামেট আৰোহন কৰাৰ চেষ্টা সম্পূৰ্ণকৈ ফলৱতী হয়। তেওঁ কামেট-বিজয় (Kamet Conquered) বুলি এখনি অতি সুন্দৰ কিতাপ প্ৰকাশ কৰিছে।

বৈজ্ঞানিকৰ কৃতিত্ব—

প্ৰফেছৰ পিকার্ড বেলজিয়মৰ এজন প্ৰসিদ্ধ বৈজ্ঞানিক পণ্ডিত। যোৱা বছৰ তেওঁ বেলুনৰ সহায়েৰে আকাশত ৯ মাইলৰ ওপৰলৈকে উঠি গৈ নামি আহিবলৈ বাধ্য হয়। এইবাৰ পুনৰায় চেষ্টা কৰি যোৱা ১৮ আগষ্ট তাৰিখে ডাঃ মেক্স কশ্বিল্ডক লগত লৈ আকৌ বেলুনেৰে ওপৰলৈ উঠি যায়, আৰু এইবাৰ ১০ মাইলৰ ওপৰলৈকে উঠিবলৈ সমৰ্থ হয়। 'কস্মিক ৰে' নামে এটি বশ্মি পৰীক্ষা



প্ৰফেছৰ পিকার্ড

কৰিবলৈকে তেওঁ এই চেষ্টা কৰিছিল, আৰু এই সম্বন্ধীয় বহুতো ফটোগ্ৰাফ লৈ আহিছে।

অভিনৱ বাদ্যযন্ত্ৰ



নতুন বাদ্যযন্ত্ৰ

আমেৰিকাৰ ওচৰত সাগৰত এবিধ তৰোৱালৰ আকৃতিৰ মাছ পোৱা যায়। ছবিত দেখা ছোৱালীজনীয়েই মাছ এটি ধৰি আনি তাৰে এটি বাদ্যময় তৈয়াৰ কৰিছে।

নেপালৰ নতুন মন্ত্ৰী—



নেপালৰ বৰ্ত্তমান মন্ত্ৰী

স্বৰ্গীয় মন্ত্ৰী মহাৰজা ভীম ছমছেৰ জঙ্গৰ মৃত্যুৰ পিছত উত্তৰাধিকাৰীত্ব সূত্ৰে মহাৰজা যুদ্ধ ছমছেৰ জঙ্গ নেপালৰ প্ৰধান মন্ত্ৰী নিযুক্ত হৈছে। এখেতৰ আগৰ মন্ত্ৰী দুজনাৰ শাসনৰ সময়ত নেপালৰ কেবা ফালেও উন্নতি দেখা গৈছে। সেই দেশত বহুত জনহিতকৰ কাৰ্য্য সাধিত হৈছে। বৰ্ত্তমান মন্ত্ৰীৰ ফালৰপৰাও সেই দেশৰ উন্নতিৰ পথত বহুত কাম আশা কৰাৰ বাহিৰেও হিন্দু সমাজৰ অস্পৃশ্যতা দূৰৰ নিমিত্তে বিশেষ যত্ন লোৱা হব বুলি আশা কৰাও অস্বাভাৱিক নহয়। নেপাল এখন হিন্দু ৰাজ্য। অস্পৃশ্যতা হিন্দু মাত্ৰৰে কলঙ্কৰ বিষয়। হিন্দু জাতিৰ এই কলঙ্ক দূৰ কৰিবলৈ অন্ততঃ তেওঁৰ ৰাজ্যক ভিতৰত চেষ্টা কৰিলে তেওঁ এফালে যেনেকৈ এই বিষয়ে কৃতকাৰ্য্য হোৱা সম্ভৱ আন ফালে তেনেকৈ গোটেই হিন্দুৰ শুভ আশীৰ্ব্বাদ পাব।

চীনৰ নতুন মন্ত্ৰী—



মিঃ কুও টাই-চি

চীনৰ লণ্ডনত থকা নতুন মন্ত্ৰী মিঃ কুও টাই-চি এজন প্ৰবীণ ৰাজনীতিজ্ঞ পুৰুষ। তেওঁ সম্ৰাট পঞ্চম জৰ্জ্জৰ লগত সাক্ষাৎ কৰিবলৈ বাকিংহাম ৰাজপ্ৰাসাদলৈ যাত্ৰা কৰিছে।

অসমীয়া ছাত্ৰৰ কৃতিত্ব

আমাৰ যিসকল অসমীয়া ছাত্ৰ বৰ্ত্তমানে বিলাতত আছে, শ্ৰীযুত গোকুলচন্দ্ৰ গোস্বামী সেই সকলৰ অন্যতম!



শ্ৰীগোকুলচন্দ্ৰ গোস্বামী

তেওঁ কটন কলেজৰপৰা বি-এছ-ছি পাছ কৰি বোম্বে ভিক্টোৰিয়া জুবিলি টেক্‌নিকেল ইনষ্টিটিউটত শিক্ষালাভ কৰে, আৰু ইঞ্জিনিয়াৰিং ডিপ্লোমা পৰীক্ষাত অনাৰ্ছ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হয়।

তাৰ পিছত শ্ৰীযুত গোস্বামী ডাওবীয়াই অসমত পাৰ্ব্বিক ৱৰ্কছ্ বিভাগৰ মেকানিকেল ইঞ্জিনিয়াৰ আৰু মোটৰ ইন্‌স্পেক্টৰৰ কাম কৰে। এই সময়তে তেওঁ অসম গৱৰ্ণমেণ্টৰ বৃত্তি লৈ বিলাতলৈ যায় আৰু খেফিল্ড বিশ্ববিদ্যালয়ৰপৰা অলপতে বি-ই পাছ কৰে। তদুপৰি তেওঁ নিজাকৈ পঢ়ি মাঞ্চেষ্টাৰৰপৰা এম-এ-আই-এম-ই উপাধি পায়। বৰ্ত্তমানে তেওঁ ইণ্টাৰ্ণেল কম্বাষ্চন বিষয়ে খেফিল্ডত শিক্ষালাভ কৰিছে।

গান্ধী-আকৈন পেক্ট স্মৃতি বক্ষা

মাদ্ৰাজৰ মিঃ এম, পি কালাপা নামেৰে ভদ্ৰলোক এগৰাকীয়ে গৱৰ্ণমেণ্ট আৰু কংগ্ৰেছৰ মাজত হোৱা গান্ধী-



কইম্বাটোৰৰ মন্দিৰ

আকৈন চুক্তিৰ স্মৃতি বক্ষাৰ অৰ্থে কইম্বাটোৰৰ (Coimbatore) কৰনেশ্চন পাৰ্কত এটি মন্দিৰ সজাই তাৰ ভিতৰত ভাৰত মাতৰ প্ৰতিমূৰ্তিৰ আগতে সৌফালে মহাত্মা গান্ধী আৰু বাওঁ ফালে লৰ্ড আৰুইনৰ মূৰ্ত্তি সজাইছে।

মিঃ কালাপাৰ এই অনুষ্ঠানখনাই বুজিব পাৰি ভাৰতবাসীয়ে গান্ধী-আকৈন পেক্টলৈ কেনে শ্ৰদ্ধাৰ চকুৰে চাইছিল আৰু এই পেক্টখনা কিমান স্থায়ী ফল আশা কৰিছিল। কিন্তু এই পেক্টৰ সন্মান বক্ষা কৰা নোহোৱাত মিঃ এম, পি কালাপাৰ অন্তৰত নিশ্চয় আঘাত লাগিছে। কিন্তু মিঃ কালাপাৰ পক্ষে সান্ত্বনাৰ কথা এয়ে যে দেশৰ ফালৰপৰা এই চুক্তি ভঙ্গ কৰাৰ চেষ্টা হোৱা নাই।

কইম্বাটোৰৰ এই গান্ধী-আকৈন পেক্টৰ স্মৃতিমন্দিৰটিৰ দৰে দক্ষিণ ভাৰতত এখনি দলঙো সজা হৈছে। আন এখন ঠাইত এই অনুৰূপ খেল চাবলৈ এটি ষ্টেডিয়াম সাজি তাৰ নামো গান্ধী আকৈন ষ্টেডিয়াম বখা হৈছে।

নেপালৰ প্ৰধান সেনাপতি—



নেপালৰ ভূতপূৰ্ব সেনাপতি

নেপালৰ প্ৰধান সেনাপতি ধৰ্ম্ম ছমছেৰ জং বাহাদুৰ বাণা নেপালৰ মহাবাজাৰ ভতিজাক। তেওঁ বণবিদ্যা আৰু বাজনীতিত বিশেষ পাবদৰ্শী আছিল। কলিকতাত কিছুকাল নবীয়া পৰি থাকি অলপতে তেওঁৰ মৃত্যু হৈছে।

লণ্ডন চিড়িয়াখানাত চিম্পাঞ্জী—



চাইকেল-মিস্ত্রী চিম্পাঞ্জী

এই চিম্পাঞ্জীটো লণ্ডনৰ চিড়িয়াখানাত বহুদিনবেপৰা আছে, আৰু শিকাকৰে বিশেষ যত্নেৰে শিকোৱাৰ ফলত নানা অদ্ভুত অদ্ভুত কাম কবিব পৰা হৈছে। এই ছবিত তাক চাইকেল মেৰামত কবি থকা দেখা গৈছে।

ত্ৰয়োদশ শতাব্দীৰ শিলৰ সাঁকো

—শ্ৰীযুত সৰ্ব্বেশ্বৰ কটকী

আমাৰ দেশ যে প্ৰাচীন ভাস্কৰ্য্যত, স্থাপত্যত আৰু শিল্পদস্তাৰত অতি উন্নত আছিল তাক আমি 'আৱাহন'ৰ জৰীয়তে পাঠকসকলক জনাই আছোঁ। আৰু প্ৰাচীন সম্পদবোৰৰ হুবহু চিত্ৰ আদিও প্ৰকাশ কবি আছোঁ; ঠায়ে ঠায়ে সভায় সমিতিয়ে লেক্চাৰ দিও এই দেশৰ প্ৰাচীন সম্পদবোৰৰ চিত্ৰবোৰ দেখুৱাই দেশৰ প্ৰাচীন তথ্য উদ্ধাৰ কাৰ্য্যত ব্ৰতী হবলৈ বা একশ্ৰেণীৰ লিখক গঢ়ি তুলিবলৈ বা দেশবাসীৰ তথ্যানুসন্ধানত বতি বঢ়ৱালৈ বিশেষ বকমে চেষ্টা কবি আছোঁ। আমি দেখি সন্তোষ পাইছোঁ যে মোৰা সংখ্যা 'আৱাহন'ত কামৰূপ অনুসন্ধান সমিতিৰ সুযোগ্য সভাপতি বায়বাহাদুৰ কণকলাল বৰুৱা ডাঙৰীয়াহে দেশৰ প্ৰাচীন সম্পদবোৰৰ

বিবৰণেৰে পাঠকসমাজৰ মন আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছে, কিয়নো সিবিলাকৰ নিচিনা যোগ্যতৰ লোকে পুৰাতত্ব বিষয় আলোচনা কৰিলে বিশেষ ফলদায়ক হব পাৰে, আমি আমাৰ প্ৰত্নসম্ভাৰেৰে দেশৰ বিশিষ্ট লোকৰ আৰু যুৱকবৃন্দৰ এই তথ্যানুসন্ধান কাৰ্য্যৰ প্ৰতি সানুনয়ে বিশেষ দৃষ্টি আকৰ্ষণ কৰিলোঁ। এই দেশৰ কত যে প্ৰাচীন সম্পদ লুপ্ত হ'ল তাৰ সীমা সংখ্যাই নাই। সম্প্ৰতি ১৮৫১ খ্ৰীষ্টাব্দৰ এচিয়াটিক চোচাইটিৰ জাৰ্ণেলৰ পৰা মেজৰ হেনে চাহাবে লিখি থৈ যোৱা ত্ৰয়োদশ শতাব্দীৰ শিলৰ সাঁকোৰ বিবৰণ আৰু সেই সাঁকোৰ চিত্ৰ দেশবাসীৰ আগত দাঙ্গি ধৰিলোঁ। হেনে চাহাবে উল্লেখ কৰি যোৱা শিলৰ সাঁকো আৰু বৰ্ত্তমান দেখিবলৈ পোৱা নাযায়। মেজৰ হেনে চাহাবে যি ঠাইত এই সাঁকোৰ অৱস্থিতিৰ কথা উল্লেখ কৰিছে তাত মাথোন এতিয়া দুছটা দীঘল শিল পৰি আছে আৰু আন একো নাই। কিন্তু কোন কাহানিবাই লিখি থৈ যোৱা চাহাবৰ বিবৰণ আৰু সেই নিৰ্ম্মাণ-কৌশলৰ চিত্ৰ দেখিলে আজিও বিস্ময় মানিব লাগে। অসমীয়াৰ সেই প্ৰাচীন নিৰ্ম্মাণ-কৌশলৰ আশ্চৰ্য্য নিদৰ্শন আমি পুনৰ প্ৰকাশ কৰিলোঁ। আমাৰ প্ৰিয় ছাত্ৰ শ্ৰীমান দেৱানন্দ গোস্বামীয়ে ইংৰাজী প্ৰৱন্ধৰ অসমীয়া টোকা আৰু শ্ৰীমান যুগলকুমাৰ দাসে মূলচিত্ৰৰ নকল যুগুত কৰি দিয়াত আমি সিবিলাকৰ শলাগ ললোঁ। অতি পূৰ্ব্বে উত্তৰ গুৱাহাটীৰ পৰা প্ৰায় ৮ মাইল মান উত্তৰ পশ্চিমে এখন ধুনীয়া শিলৰ সাঁকো আছিল। এই সাঁকোখন শিলেৰে সজোৱা হৈছিল বুলি মানুহে ইয়াক শিলৰ সাঁকো বুলিছিল, যদিও শিলসাঁকোৰ চিনচাব আজি মুঠেও নাই, তথাপি ঠাই ডোখৰ শিলসাঁকো নামে পৰিগণিত হৈ আছে। শিলসাঁকোখন বৰ ডাঙ্গৰ আৰু মিহি শিলৰ ছটা খাপ খুৱাই লোৰ গজালৰ সহায়েৰে সজোৱা হৈছিল। আন আন মন্দিৰ আদিৰ দৰে ইয়াত চূণ-চুৰ্কীৰ মুঠেই ব্যৱহাৰ নাছিল। সাঁকোখনৰ দুয়ো মূৰ চাপৰ আৰু মাজভাগ অলপ ওখ। ই দীঘলে ১৪০ ফুট আৰু পুতলে ৮ ফুট আছিল। শিলৰ ছটাবোৰ ৬ ফুট ৯ ইঞ্চি দীঘল আৰু ১০ ইঞ্চি ডাঠ। সাঁকোখন বহলে বহলে এশাৰীত পাঁচোটাকৈ শিল লগোৱা। মুঠতে দীঘলৰ শাৰীত ১৬টা আৰু পথালিৰ শাৰীত ৩ টাকৈ ডাঙ্গৰ ডাঙ্গৰ খুটা (pillars) আছিল। সাঁকোখন আৰু বেছি আটিল কৰি ৰাখিবৰ নিমিত্তে সমান সমান অন্তৰত শিলেৰে গঁঠা তিনিটা ঠেকা আছিল। আৰু তাৰ এমূৰে এটা একলীয়া (অৰ্থাৎ সমানে আধা কৰিলে যিমান হয়) ঠেকা আছিল। ঠেকা কেইটাৰ তলৰ ভাগ বৰ শকত আৰু ওপৰৰ ফাললৈ ক্ৰমান্বয়ে সৰু হৈ যোৱা। সাঁকোখনৰ খুটাবিলাক বৰ ডাঙ্গৰ আৰু শকত। খুটাৰ গুৰিভাগ বেছি শকত। সাঁকোখন যাতে মজবুত হৈ থাকে তাৰ বাবে গুৰি ভাগত বেছিকৈ শিলৰ ছটা চাপ খুৱাই বন্ধোৱা হৈছিল। আৰু ধুনীয়া আঠ কোণীয়া শিলো ইয়াত লগোৱা হৈছিল। প্ৰত্যেক খুটাৰ মূৰতে একোটা ঠুম আছিল। তাৰ ওপৰত সাঁকোখনৰ শিলৰ ছটাবিলাক পাৰি দিয়া হৈছিল। পানীৰ পৰা প্ৰায় ২০ ফুটমান ওপৰত এই সাঁকোখন সজোৱা হৈছিল। এই সাঁকোখন কি নদীৰ ওপৰত দিয়া আছিল তাক ভালকৈ জনা নাযায়। বোধ কৰোঁ সেই সময়ত ব্ৰহ্মপুত্ৰৰ কিবা সুঁতি সেই ফালে আছিল। ইয়াক কোন ৰজাৰ দিনত বা কিমান দিনৰ আগেয়ে সজোৱা হৈছিল তাৰ নিৰাকৰণ কৰিব নোৱাৰি। কিন্তু ১২০৫ খৃষ্টাব্দত মহম্মদ বক্তিয়াৰ খিলিজিয়ে কামৰূপ ৰাজ্য আক্ৰমন কৰিবলৈ বুলি দহদিন উজাই আহি এই শিল সাঁকোৰেই পাৰ হৈ যে কামৰূপ সোমাইছিল তাৰ উল্লেখ আছে। সেই সময়ত সেই অঞ্চলৰ ৰজাই, মছলমান সৈন্য পাৰ হৈ অহাৰ পিছত সাঁকোখন ভাঙ্গি দিয়ায় আৰু সৈন্য সামন্ত পঠিয়াই আগভেটি ধৰায়। বক্তিয়াৰে গতি বিষম দেখি হুঁহকি যায়। সাঁকোখন ভঙ্গাই দিয়াৰ বাবে সৈন্য নদী পাৰ হওঁতেই ডুবি মৰিল। কেৱল অশ্বাৰোহী সৈন্য লগত লৈহে তেওঁ ভটিয়াই গ'ল। বক্তিয়াৰ গুচি যোৱাৰ পিছত যদিও সাঁকোখন পুনৰ সজোৱা হ'ল তথাপি শিলবোৰ লনিকৈ লগাব নোৱাৰিলে। বক্তিয়াৰ খিলিজিৰ আক্ৰমনক উল্লেখ কৰি আমি শিলৰ সাঁকোখন ত্ৰয়োদশ শতাব্দীৰ বুলি অনুমান কৰিলোঁ। *

* From J. A. S, 1851, by Majar Haney.

সংগ্ৰহ

(বাৰ্ণাৰ্ডশ্বৰ বিবৃতি)

[আগৰ সংখ্যাৰ পাছৰপৰা]

ৰাইজ যিফালে যায় সিফালে যাবা—

সিহঁতৰ পন্থা তাতকৈ ভাল হব পাৰে কিন্তু ইয়াতকৈ বেয়া হলে যি বিপদ সেই একে বিপদেই ইয়াতো আছে। যেনেকৈ, ধৰা—তুমি ল'ৰা ছোৱালীবোৰক মাৰ দিয়া কলাৰ পিন্ধিবলৈ শিকাবানে? মাৰ দিয়া কলাৰ যে অস্বাস্থ্যকৰ, অসুখজনক, আৰু কষ্টদায়ক, তেনে নহয়, ই মলিয়নো। পিন্ধা-উৰা সাজ-পাৰত মাৰ দিয়াটো এটা ভুল কথা। মাৰ মলৰ এটা বিশেষ উদাহৰণ আৰু মল বগা বা চক্‌চকীয়া হলেও ইয়াৰ ব্যতিক্ৰম নঘটে। যিয়ে নহ'ক নহয়, তোমালোকে মাথোঁ চাবা ভদ্ৰলোক আৰু ভদ্ৰমহিলাসকলে মাৰ দিয়া কলাৰ ব্যৱহাৰ কৰে নে নকৰে। গতিকে যদি ল'ৰা ছোৱালীক ভদ্ৰলোক আৰু ভদ্ৰমহিলা কৰিব খোজা তেন্তে তোমালোকে ছোৱালীক মাৰ দিয়া কলাৰ পিন্ধা ভুল বুলি শিকাবা আৰু ল'ৰাক তাক পিন্ধাটো ঠিক বুলি শিকাবা। সেয়ে সিহঁতৰ নীতি হব লাগিব।

সেই একে কাৰণৰ বাবেই ল'ৰা ছোৱালীক গীৰ্জ্জালৈ যাবলৈ শিকাবা, কিন্তু সাৱধান হবা যেন যেন সিহঁতে ধৰ্ম্মবিষয়ে বেছিকৈ নাভাবে। ধৰ্ম্মৰ বিষয়ে ভবাৰ কাৰণেই জৰ্জ্জ ফক্সে কোৱেকাৰ (quaquer) সম্প্ৰদায়ৰ সৃষ্টি কৰিলে.—ডাঙ্গৰ মানুহ হ'ল। কিন্তু সেইবাবেই আকৌ তেওঁ আনে যি বাটে যায় সেই বাটে বাট বুলিছিল। তাৰ ফলত তেওঁ গীৰ্জ্জাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল, সিবোৰক "ষ্টিপল হাউছ" (steeple house) বুলিছিল, টুপী পিন্ধি ভিতৰলৈ গৈছিল আৰু ধৰ্ম্ম যাজকৰ বিৰুদ্ধাচৰণ কৰি অশান্তিৰ সৃষ্টি কৰিছিল। আৰু শেষত কাৰাবৰণ কৰিছিল। তেওঁ তিৰোতাসকলৰ মাজত ধৰ্ম্মভাৱ সোমাই দিয়াৰ ফলত বহুত ভদ্ৰমহিলা কোৱেকাৰ হৈছিল। তাৰ বাবে দেখা দেখিকৈ মাৰ-পিট খাইছিল। যদিও আনে যি কৰে তাকে কৰিলে আৰু নিয়মমতে গীৰ্জ্জালৈ গলে তেওঁলোকৰ পিঠিত এটি আঙুলি দিবলৈকো কোনেও সাহ নকৰিলেহেঁতেন।

এনে হলে মাক বাপেকৰ সকলো কথা সহজ হৈ পৰে। কাৰণ এতিয়া তেওঁলোকে ল'ৰা ছোৱালীক সৰু সুৰা মহাপুৰুষ বা মহাত্মা কৰিব নগৈ একেটি মাথোঁ সাধাৰণ উপদেশ—"গছত উঠি চাবা, ৰাইজ যি ফালে যায় সিফালে যাবা"—দিলেই লেঠা মৰিল। সিহঁতৰ অনুকৰণীয় আদৰ্শটি কোনো সাধুসন্ন্যাসী বা বীৰৰ হব নালাগে, নাইবা কোনো ডাঙ্গৰ বা সজ মানুহৰ হোৱাৰো আৱশ্যক নাই; মাথোঁ এজন যথেষ্ট কাণ্ডজ্ঞান থকা ভাইকাৰৰ দৰে, এজন কৃতী ধৰ্ম্মযাজকৰ উজু আদৰ্শ হলেই হ'ল।

ৰজাই দিয়ক—

কিছুমান চিন্তাহীন মানুহে তোমালোকক কব যে ল'ৰাছোৱালীৰ কথাটো বৰ দায়িত্ব পূৰ্ণ কথা। কিন্তু ইয়াৰ কোনো অৰ্থ নাই। ল'ৰা ছোৱালীবিলাক নিজে নিজে চলিব পৰা নোহোৱাকৈকে এটা বৰ ব্যয়সঙ্কুল বোজা আৰু মাক বাপেকে এই খৰচ কেতিয়াও বহন কৰিব নালাগে; কিন্তু ল'ৰা ছোৱালীৰ নব ভাৱ চৰিত্ৰ বা ভবিষ্যতৰ কাৰণে মাক বাপেক দায়ী বোলা কথাটো আকৌ আপচু, কেতিয়াবা অন্যায় ধৰণে আপচু। আমাৰ ল'ৰা ছোৱালীবিলাকে এটি স্বভাৱ-চৰিত্ৰ লৈ জগতলৈ আহে। তাক আমি কৰিবও নোৱাৰোঁ নকৰিবও নোৱাৰোঁ। কিছুমানৰ স্বভাৱ-চৰিত্ৰ একেবাৰে অসভ্যতাৰ চূড়ান্ত আৰু কেতিয়াবা আমাৰ এনেহে খং তোলে যে এমূৰে আৰম্ভ কৰি আন মূৰলৈ পিহি চুৰমাৰ কৰিবলৈ ইচ্ছা হয়।

ওৱাৰ্ডস্‌ৱৰ্থে কয় যে সিহঁত আকৌ গৌৰৱমণ্ডিত হৈও আহে। সেইটো সঁচা, কিন্তু তেওঁ অমৰত্বৰ বাৰ্ত্তা বোলা বোৰ আৰু অসভ্যতাতকৈও অসহনীয়; কাৰণ আমাৰ সাংসাৰিকতাক সিহঁতে অৱমাননা কৰে। যিয়ে হ'ক, ল'ৰাছোৱালীৰ জন্মগত স্বভাৱ চৰিত্ৰ বা বিশেষত্বৰ বাবে মাক বাপেক দায়ী নহয়। তেওঁলোকে কৰিব পৰাৰ ভিতৰত এয়ে যে যদি সিহঁত একেবাৰে দুৰ্দ্দান্ত হয়, তেন্তে সিহঁতৰপৰা পৰিয়ালক ৰক্ষা কৰিব লাগে আৰু অনিষ্টকাৰী নহলে সিহঁতক নিজৰ মতে চলিব দিব লাগে।

খৰচৰ কথাটোৱেই হৈছে আটাইতকৈ আপচু। অৱশ্যে পৃথিবীত মানুহ বঢ়াব লাগিব কিন্তু সেইটো ৰজাই চোৱা উচিত আৰু এইটোও ৰজাৰ চোৱা উচিত যেন মাক বাপেকে তাৰ বাবে ভালদৰে টকা পইছা পায়।— বৰ্ত্তমানে আমাৰ ৰাজনীতিজ্ঞ সকলে এই কথাটো আওকাণ কৰি কলঙ্ক আনিছে। তেওঁলোকে জানে যে স্বভাৱতে বংশ ৰক্ষা কৰিবলৈ ল'ৰা

ছোৱালী থাকিব লাগিব। আৰু যদি তোমালোকৰ কোনো ৰকমৰ কৰ দিব লগা নাথাকে তেন্তে allowance নোপোৱা। কিন্তু ফলত কি হয়? ল'ৰা ছোৱালী মৰি গলে আৰু ল'ৰা-ছোৱালী পাবলৈ হলে সকলো খৰচৰ ভাৰ পৰেগৈ আচল মাক বাপেকৰ গাত আৰু সকলো কষ্ট আৰু বিপদৰ বোজা পৰেগৈ বেছেৰী মাকহঁতৰ গাত। বুঢ়া বৰলা বুঢ়ী কুমাৰী বা বিয়া সোমোৱা মতামাইকীৰো জন্ম-নিৰোধ অভ্যাস কৰোঁতাসকলেও শিক্ষাৰ বাবে দিব লগা সাধাৰণ কৰ খিনিৰ বাহিৰে একোৱেই নকৰে। সেই ফেৰা শিক্ষালৈ দিয়া কৰখিনিয়ে ব্যৱসায় সম্প্ৰদায়ৰ সাধাৰণ স্কুলৰ খৰচেই নহয়। তথাপি জনসংখ্যা পুনৰ প্ৰবৰ্ত্তনৰ কথাটো বৰলা, কুমাৰী স্বেচ্ছা-বন্ধ্যা আৰু আচল মাক বাপেক আটাইৰে এটি অতি আৱশ্যকীয় বিষয়। যদি আমাৰ তিৰোতাসকলৰ কিবা ভাবিবৰ শক্তি থাকিলহেঁতেন তেন্তে নিশ্চয় তেওঁলোকে ভয় দেখুৱালেহেঁতেন যে যদি গবৰ্ণমেণ্টে তেওঁলোকৰ ল'ৰা ছোৱালীৰ প্ৰতিপালনৰ ভাৰ নলয় আৰু তেওঁলোকৰ মাতৃত্বৰ বাবে সহিব লগা দুখ কষ্টৰ ভাল দৰে ক্ষতিপূৰণ নকৰে তেন্তে তেওঁলোকে মাক হবলৈ কেতিয়াও স্বীকাৰ নকৰিব। আমাৰ কাৰণে ল'ৰা ছোৱালী জন্ম দিয়া তিৰোতাসকলে জখলা বগাই খাব পৰা অৱস্থাও আৰু নাই।

মোৰ আই বোপায়ে যিমান ভালকৈ পাৰে, মোক খুৱাইছিল, পঢ়াইছিল আৰু ৰাখিছিল। তেওঁলোকে পঢ়িব, লিখিব আৰু উজু অঙ্ক শিকিবৰ কাৰণে এজনী শিক্ষয়িত্ৰী ৰাখি দিছিল। অঙ্কৰ ভিতৰত যোগ বিয়োগৰ ওপৰত আৰু নগৈছিল, কাৰণ বেছেৰী বুঢ়ী জনীয়ে ভাগ কেনেকৈ কৰিব লাগে নাজানিছিল। পঢ়া সম্পৰ্কে মই একো বুজা নাছিলোঁ। তেওঁ কিন্তু মোক সদায় বানান আৰু কিতাপ পঢ়াতে ব্যস্ত ৰাখিছিল। মই জন্মৰপৰা বা অন্ততঃ মোৰ প্ৰথম দাঁত গজাৰ পৰাই নিশ্চয় পঢ়িব পাৰিছিলোঁ। আজি ছপা কিতাপ এখন যিদৰে পঢ়িব পাৰোঁ তেনেকৈ যে কেতিয়াবা নোৱাৰিছিলোঁ সেই কথাটো মোৰ মনত নপৰে। মইতো লিখিব জানিছিলোঁ তথাপি হাঁকোটা, বৰশী, কিয় আঁকিব লাগিছিল একো বুজা নাছিলোঁ। মৰাৰ দিনলৈকে এই বুঢ়ী মহিলা জনীৰ বিশ্বাস আছিল যে তেওঁ এজন অতি বিখ্যাত ছাত্ৰক লেখাপঢ়া শিকাইছিল। কিন্তু, আচলতে বানানৰ কিতাপৰ 'আব—বা' 'আবা' (ab-ba, abba) আদি শব্দই কি বুজাইছিল একো নাজানি মই মহা সমস্যাত হে পৰিছিলোঁ! ইয়াৰ কি অৰ্থ তাকে ভাবি মই আচৰিত হৈছিলোঁ আৰু মই এতিয়াও আচৰিত হওঁ।

কেতিয়াও দাম্ভিক নহবা—

কিন্তু তেওঁ মোক এটি কৌতুক পূৰ্ণ অভ্যাস শিকাইছিল। তেওঁ এটি পৰুৱাও নমৰা এটি সৰু চৰ যদি কেতিয়াবা মোৰ গালত মাৰি পঠিয়াইছিল—তাৰ বাবে লাজ পাবলৈ আৰু কান্দিবলৈ শিকাইছিল।

বুৰঞ্জী-বিবেকৰত্ন *

১৭৬০ শকত লিখা

(৺মনিৰাম দেৱান)

—শ্ৰীযুত উপেন্দ্ৰচন্দ্ৰ লেখাৰু বি এল

আজি ইমান দিনৰ মূৰত জনা হ'ল যে সকলোৰে জনাজাত স্বৰ্গীয় মণিৰাম দেৱানে এখনি বৃহৎ অসম বুৰঞ্জী প্ৰণয়ন কৰিছিল। বুৰঞ্জীখনৰ নাম 'বুৰঞ্জীবিবেকৰত্ন'। ইয়াৰ খণ্ড তিনটি। কিন্তু আমি দ্বিতীয় খণ্ডহে পাইছোঁ। প্ৰথম আৰু তৃতীয় খণ্ড হয়তো এতিয়াও কাৰোবাৰ হাতত আছে। এই খণ্ডৰ পাতৰ জোখ ১½'×১½' হব। চাৰিশ পিঠিত প্ৰায় দুশ হাজাৰ আখৰত সমাপ্ত। সমাপ্তিত লিখা আছে :—ইতি শ্ৰীবুৰঞ্জীবিবেকৰত্নে দ্বিতীয় খণ্ড পুস্তকং সমাপ্তং। শাকে ব্যোমৰ্ত্তুমৈত্ৰে দিনমণিদিবসে শুভ্ৰপক্ষে দিবান্তে। সপ্তম্যাংপৌষমাসে নবমদিনগতে পূৰ্ব্বভাদ্ৰক্ষযুক্তে গ্ৰন্থৈকেনং ত্ৰিখণ্ডং সকলজনহিতং যত্নতো বৈবিলিক্ষ। তস্যাকাৰ্য্যং সমাপ্তং হৰিগুৰুপদভাগ্ৰামদত্তাত্মজোঽহং। সন ১৮৩৮ ইং ২২ ডিছেম্বৰে সমাপ্তং। ইয়াৰ বাহিৰেও তেওঁ মটকদৌৰাত্ম্যৰ বিষয়ে বৰ্ণাওঁতে দুঠাইত নিজৰ পৰিচয় নাম মাত্ৰহে দিছে :—এতন্মটকদৌৰাত্ম্যং প্ৰথমং লিখিতং ময়া। ধীমতা মণিৰামেন সংক্ষেপেনৈব যত্নতঃ॥" * * * আৰু "দৌৰাত্ম্যং মটকস্য বৃদ্ধবদনাৎ দৃষ্ট্যাবুৰঞ্জ্যাশ্ৰুতং প্ৰাপ্তং যল্লিখিতং দ্বিতীয়কমিদং সংক্ষেপতঃ কেবলং। বৌৰঞ্জীসুবিবেকৰত্নক মহাগ্ৰন্থে ময়া ধীমতা নাম্না শ্ৰীমণিৰামকেন বহুধা যত্নাদগাধোপমে॥" ইত্যাদি। এইবিলাকৰ পিছত ৰামদত্তৰ পুত্ৰ বুলি লিখাত গ্ৰন্থকৰ্ত্তা সম্পৰ্কে সন্দেহ কৰিব লগা একো নাই।

এই খণ্ডটি আৰম্ভ কৰিছে এইদৰে :—শ্ৰীশ্ৰীকৃষ্ণায় নমঃ॥ অথ বুৰঞ্জীবিবেকৰত্ন গ্ৰন্থে দ্বিতীয় খণ্ডে কামৰূপীয় ব্ৰাহ্মণাদি নিখিল জাত্যাচাৰ বিবেচন তদ্দেশীয় ধৰ্ম্মপ্ৰচাৰক সাধুনাং আগমমাৰ্গ প্ৰদৰ্শক গোস্বামীনঞ্চ বিশিষ্টাখ্যানং অমাত্য প্ৰমুখ্যোৎপত্যাদিকমপি যথামত্যহং ব্যখ্যস্যে। জনানাং মন্ত্ৰিমুখ্যানামাদ্য গোস্বামীনান্তথা। ধৰ্ম্মপ্ৰবৰ্ত্তকানাঞ্চ যথাচাৰঞ্চ বৰ্ণয়ে। ৰাজভিষেকমপ্যত্ৰ খণ্ডে ৰক্ষে যথামতি॥"

বিষয় প্ৰবেশৰ আগতে পুথিখনিৰ ভাষা সম্পৰ্কে আষাৰচেৰেক কোৱা যাওক। বৰ্ণাশুদ্ধি বহুত আছে, অৱশ্যে সি প্ৰতিলিপিকাৰকলৈ যাব। তাক এৰি ইয়াকে কব লাগিব যে স্বৰ্গীয় মণিৰামৰ সংস্কৃত ভাষাত যথেষ্ট ব্যুৎপত্তি আছিল। ওপৰত দিয়া কথাৰ পৰা তাৰ প্ৰমাণ পোৱা যায়। তাৰ বাহিৰেও বহুত ঠাইতে সংস্কৃত আছে। শ্ৰীশ্ৰীশঙ্কৰদেৱৰ আৱিৰ্ভাৱ সম্পৰ্কে লিখা কথাত গীতাৰ "যদা যদাহি' আদি আৰু শৰণসংহিতা, পদ্মপুৰাণৰ উত্তৰ খণ্ড আদি নানা ঠাইৰ পৰা সংস্কৃত বাক্য দিয়া হৈছে। বৈষ্ণৱীয় চতুঃ সংহতি আৰু অহিফেন অৰ্থাৎ কানিৰ প্ৰস্তাৱতো আৰু অন্যান্য ঠাইতো সংস্কৃতৰ ব্যৱহাৰ আছে। ইয়াতে কৈ থোৱা যাওক যে মণিৰামৰ যথেষ্ট শাস্ত্ৰজ্ঞান আছিল আৰু তেখেত বৈষ্ণৱ আছিল। *

পুথিখনিৰ প্ৰথমৰ পৰা চৌবিশ পাতলৈকে বঙ্গালী ভাষাৰ প্ৰভাৱ দেখা যায়। কিন্তু তাৰ ভিতৰত—"ঘৰিয়াল, পিঠা, গাহৰি, কুকুৰা, চাউল, মাহ, জোগনিয়াৰ, জবৰদস্তি, ক্ৰমে, বকতিয়াল ডেকাহঁতে" ইত্যাদি অসমীয়া শব্দ

* উত্তৰগুৱাহাটীৰ শ্ৰীশ্ৰীসৰুদিহিং সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰীল শ্ৰীশ্ৰীযুক্ত ত্ৰৈলোক্যশোভনচন্দ্ৰ গোঁসাই আতাৰ পৰম অনুগ্ৰহত আমি এই পুথিখনি পঢ়িবলৈ পাওঁ আৰু তেখেতৰ অনুমতি লৈ বৰ্ত্তমান আমি প্ৰতিলিপি এখনি যুগুত কৰিবলৈ আৰম্ভ কৰিছো।—লিখক

* অনুমান হয় মণিৰাম শ্ৰীশ্ৰীদিহিং সত্ৰৰে শিষ্য আছিল। কিয়নো চাৰিঙৰ প্ৰায় লোকেই এই সত্ৰৰ অধীন আছিল আৰু এনে কোনো সূত্ৰতেই বোধকৰো এই পুথি সত্ৰলৈ আহিছিল।

আছে। ইয়াৰ পিছতো মাজে মাজে বঙালী ব্যৱহাৰ আছে আৰু দুয়োভাষাৰে মিহলি হৈ মাজে মাজে অশোভন হৈ পৰিছে। ইয়াৰ পৰা অসমীয়াই বঙ্গালী লিখিবলৈ যোৱাৰ বিফলতাৰ পৰিচয় পোৱা যায় মাত্ৰ। দেৱান কলিকতা আদি ঠাইত ঘূৰি ফুৰা কাৰণে আৰু বিশেষকৈ সেই সময়ত ইংৰাজৰ আমোলত বঙ্গভাষা নগৰবিলাকত সোমাবলৈ চেষ্টা কৰাৰ কাৰণতে বোধ কৰো এনে হৈছিল।

অসমীয়া ব্যৱহাৰৰ অলপ নিদৰ্শন এই :—"বৃদ্ধৰজা হলে মহন্তক শিক্ষায় হৰিসেৱা নাম কীৰ্ত্তন পূৰ্ব্বদস্তুৰে কৰিবাৰ কই পূৰ্ব্বত কৰি কমি কৰিলে জগৰ লাগিব তাকে ভাল মতে কৰিবা ভকত সকল আমাৰ পাইক আমাৰ কুশলাৰ্থে নাম গাব। মূৰ্ত্তিৰ পূজাৰ নিমিত্তে অনেক পাইক খাত বাৰি ৰাজা সকলে দি গৈছে তাক ন্যূনতা নকৰি পূৰ্ব্ব দস্তুৰে চলাবা আমাকো ভকত লোকে সহিতে আশীৰ্ব্বাদ কৰি থাকিবা মহন্তৰ দস্তুৰে প্ৰবৰ্ত্তি থাকিবা তবে শিষ্য ভকত সত্ৰ সকলকো পাবা এই বুলি ৰাজা বুজাই।"

বুৰঞ্জীখনিৰ বিশেষ পৰিচয় দিবলৈ নিৰ্ঘণ্টখিনি প্ৰকাশ কৰা হ'ল। অভকতীয়া কালৰ কথা—দেওধাই বাইলুঙ্গৰ প্ৰমাণ মহাপুৰুষৰ অৱতীৰ্ণ কথন—জাতি নিৰ্ণয় বৰ্ণভেদ দক্ষিণ পাট আউনি আটিৰ উৎপত্তি ভকত মহন্তৰ উৎপত্তি গৰমুৰীয়া গোসাঞিৰ উৎপত্তি—মিচিৰ গোসাঞিৰ প্ৰাণ বিজোগ—বৃহদ ভূমিকম্প—ডাঙৰীয়া সবৰ মৰ্য্যদা ডাঙৰীয়া গনৰ বৰখাস্তি ও বাহালী—ৰাজাৰ অভিষেক ব্যৱস্থা ৰাজাগণেৰ পদস্যুত কৰণ ব্যৱস্থা—ডাঙৰিয়া ও বড়বড়ুৱানাং কৰ্ত্তব্যদত্ত নিৰ্ণয়—বৰবড়ুৱাৰ সোধ সিদ্ধান্ত তজবিজ ব্যৱস্থা—চৰাৰ ফুকন লোকৰ বিবৰণ,—ৰাজখোৱা ও বৰুৱা ফুকনলোকৰ সম্বাদ—চাৰি পানীসিয়াৰ কথন—গোহাটীয়া ফুকনলোকৰ বিবৰণ ও ৰাজাৰ সিংহাসনস্থ হৰ্ত্তা প্ৰধানাভিশেক—চতুঃসংহতিৰ ধৰ্ম্মপথ কহন—হিন্দু ধৰ্ম্মৰ আচৰণ ব্যৱস্থা—ভাটিযোৱা পথৰ আচৰণ ব্যৱস্থা—শিষ্য-লোকৰ হৰিভজন শৰণ ভজন ব্যৱস্থা—চাৰি সত্ৰিয়া গোস্বামী-লোকৰ অভিশেক হোৱাৰ সম্বাদ ব্যৱস্থা গোস্বামী ও মহন্তৰ ৰজাক নিৰ্ম্মালী প্ৰদান কৰা ব্যৱস্থা—গোস্বামী মহন্তৰ বৈঠক ব্যৱস্থা—ডাঙৰীয়া সকলক নিৰ্ম্মালী প্ৰদান ব্যৱস্থা—ৰজা সত্ৰহাই ভ্ৰমণ কৰাৰ ব্যৱস্থা—ৰজা অভিশেক নিৰ্ম্মালী গ্ৰহণ কথা ও ৰাজসভা হৰি কীৰ্ত্তন ব্যৱস্থা—বৰমেল ও যুদ্ধাদি মন্ত্ৰণা ব্যৱস্থা—মটক দৌৰাত্মৰ সৰু কাজিয়া ৰাঘমৰা-নৰ হঙ্গমা তস্য বধ—লক্ষীসিংহৰজাৰ নষ্টৰাজ্য প্ৰাপ্ত—মটক মহন্তৰ স্বপুত্ৰবান্ধৱ বধ—গৌৰীনাথ সিংহৰ অভিষেক—মটকৰ অত্যাচাৰ বৰ্ণন ঘনশ্যাম বুঢ়াগোহাঞিৰ প্ৰতাপ ও মটক লোকৰ সমূহ জন বিঘাত মটকৰ তৃতীয় দৌৰাত্য কথন—দিহিঙ্গৰ গোস্বামীৰ যুদ্ধ—গদাধৰ সিংহৰ পুত্ৰ নাম ৰূপীয়া ৰজাৰ কাৰচাজি পূৰ্ব্বক কৃত দণ্ড—সিঙ্গৰি ঘৰৰ প্ৰস্তাৱ কথা—সিঙ্গৰিঘৰ প্ৰবেশ যাত্ৰা—সিঙ্গৰি ঘৰৰ সিংহাসনস্থ হোৱা ফুকন বৰুৱা সকলৰ ইমদাদ পটল—সিঙ্গৰি ঘৰৰ বৰখানা—আওবট ৰোৱা ব্যৱস্থা—দ্বাদশ পৰিক্ষা পটল পুনশ্চ গদাধৰ সিংহৰ ৰাজ সাশন—খানাতয়াৰি পাককৰ্ত্তালোকৰ বধ—নবাবি ফৌজৰ শেষ যুদ্ধ গোসাঞি মহন্ত সকলৰ দণ্ড ও থানান্তৰ ও হিন্দু ধৰ্ম্ম সংহাৰক বিলহায়েৰ ৰাজকৰ জমা নিসস্ত গদাধৰ সিংহৰ অভিশেক সহায়কৰ্ত্তা—ফুকন বড়ুৱা সবৰ মতান্তৰ বধ—গদাধৰ সিংহৰ দৃঢ়ভক্তি—প্ৰকাশ জয়ন্তাৰজাৰ উৎপত্তি হেড়ম্বাসুৰৰ উৎপত্তি কোচবেহাৰ ও দৰঙ্গি ও বিজনি ও বেলতলা ৰজাৰ অৰ্থাৎ মোৰ ঘৰৰ আদ্যোৎপত্তি কথন—অত্যাচৰ্য্য স্বপ্ন বিৱৰণ—ৰুদ্ৰ-সিংহৰ বঙ্গদেশাক্ৰণাভিলাষে—ভাটি ৰাওনা হোৱা গোহাটী প্ৰবেশ—ৰুদ্ৰসিংহৰ স্বৰ্গাৰোহণ—শিৱসিংহ ৰজাৰ স্বৰ্গাৰোহণ প্ৰমত্তসিংহ ৰজাৰ স্বৰ্গাৰোহণ—লতাকটাৰনে সমূহজন বিঘাত ৰাজেশ্বৰ সিংহ ৰজাৰ স্বৰ্গাৰোহণ—পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ বিনাশ দিচৈ কোচনগৰ নিৰ্ম্মাণাদি অহিতেনাতিহাস অৰ্থাৎ কানিৰ প্ৰস্তাৱ ওলিচ কাপ্তান চাহাবৰ আগমন মিগিৰগৰ সাহেবেৰ যুদ্ধজয় ৰঙ্গপুৰ কিল্লাৰ দখল কমলেশ্বৰ সিংহেৰ অভিশেক মটকেৰ হাবিলুট চকিহাট ভগ্ন ভোগদৈ নদি খাদন—ৰিতিয়াৰ হঙ্গম ও ৰিতিয়া পথেৰ সাধন আচৰণ পটলবাহুল্য—শ্ৰীযুত চন্দ্ৰকান্ত সিংহেৰ অভিশেক—পূৰ্ণানন্দ বুঢ়াগোহাঞি সহিত বিবাদ সম্বাদ ভূতপুত্ৰেৰ বধ ও তৎ-সংসৰ্গ কাৰি কুটমন্ত্ৰনাবিষ্ট লোকেৰ সংহাৰণ বদনচন্দ্ৰ বৰফুকণেৰ পলায়ণ ও মানেৰ আগমন ও বুঢ়াগোহাঞি ডাঙৰীয়াৰ পঞ্চত্ব প্ৰাপ্ত—বুঢ়া গোহাঞি আমোলেৰ খাটনিয়াৰ

পৰ্ব্বতীয়া ফুকণ গয়ৰহেৰ দন্তকৃত—দন্ত চক্ষুৎপাটন নাসিকা চেদন বদনচন্দ্ৰ বৰফুকণেৰ বধ—গৌৰীনাথ সিংহ ও তৎপুত্ৰ পুৰন্দৰ সিংহেৰ আগমন পুৰন্দৰ সিংহেৰ যুবৰাজ অভিশেক চন্দ্ৰকান্ত সিংহেৰ পদস্যুত ব্ৰজনাথ সিংহ ও বুঢ়াগোহাঞি মন্ত্ৰি সহিত বিৰুদ্ধ লেঢ়াই পুনৰ চন্দ্ৰকান্ত সিংহেৰ ৰাজ্য প্ৰাপ্ত ধনি বড়বড়ুৱা বলীয়া বড়গোহাঞি মানেৰ হস্তে বধ—পতাৰন বড়বড়ুৱাৰ বধ মিঙ্গিমাহা তিলোৱা সজাতি ফুকন উভয়েৰ স্থিতি—যোগেশ্বৰ সিংহেৰ সংস্থাপন—মানেৰ ৰাজ শাসন ও মানেৰ আমোলেৰ কৃত জুলুমী মহগড়যুদ্ধ—মানেৰ আমোলেৰ বড়গণি—মিঙ্গিমাহা তিলোৱাৰ বৰখাস্ত মিঙ্গিমাহা নন্দে ক্ষৰেঙ্গ ৰাজ্য প্ৰাপ্ত কচাৰিদেশে যুদ্ধেৰ অভিমুখে ধাত্তা সৰকাৰ বাহাদুৰেৰ গৌহাটী দখল সম্বাদ—মান ও চামেৰ আপোশে কন্দল—উভয়েৰ যোৰহাটে যুদ্ধ—মিঙ্গিমাহা নন্দে ক্ষুতেঙ্গ ৰাজাৰ পীতা পুত্ৰসহ বধ ও চামফুকনৰ বিজয়—ৰঙ্গপুৰ কিল্লা দখল। মুঠতে গদাধৰ সিংহৰ দিনৰে পৰা কোম্পানীৰ দিনলৈকে বিস্তাৰিত ভাৱে লিখা এই বুৰঞ্জীখনি অসমবুৰঞ্জী ভড়ালৰ এটি অমূল্য সম্পত্তি। বিশেষকৈ লিখকৰ ব্যক্তিত্ব আৰু সময়লৈ চায়ো ইয়াৰ মূল্য থিৰ কৰিব পাৰি। স্বৰ্গীয় দেৱানে অনুমানৰ ওপৰত একো লিখা নাই। তেখেতে নিজে প্ৰকাশ কৰিছে যে নানা বুৰঞ্জী চাই বুঢ়ালোকক সুধি যিমান জানিব পাৰে লিখিছে। গতিকে লিখা কথাৰ সত্যতা সহজে অনুমান কৰিব পাৰি। কোনো ঠাইত মতভেদ পালেও তেখেতে দুই মতকে লিখিছে :—

"কিন্তু এই গদাধৰ সিংহ ৰাজাৰ যে সকল কথা লিখা গিয়াছে ইহাতে কিছু মুখান্তৰ কথা অগ্ৰ পশ্চাত বিতিক্ৰম আছে। কেন না ইস্তক চুকাফা ৰাজা নগেদে লড়াৰাজা পৰ্য্যন্ত হিন্দুমতেৰ ও আহম মতেৰ বুৰঞ্জী পুস্তকেই লিখা আছে। গদাধৰ সিংহৰ আমল ইস্তক বুৰঞ্জী পুথি নাই। কেৱল আহম দেওধাই বাইলুঙ্গৰ হাতে হাতে কদাচিত লিখা আছে, তাহা সৰ্ব্বসাধাৰণে প্ৰকাশ কৰেনা। কেননা যে বংশেৰ পুত্ৰ পৌত্ৰ যতকাল পৰ্য্যন্ত ৰাজত্ব পদে থাকেন তাবৎ পৰ্য্যন্ত ঐ ঘৰেৰ বুৰঞ্জী জাহেৰা কৰি লিখেনা। কেৱল টোকাটুকি মাত্ৰ লিখিয়া ৰাখে। ঐ ঘৰেৰ ৰাজত্ব উঠিলে শাফ বুৰঞ্জীতে লিখে, তৎপ্ৰযুক্ত এই গদাধৰ সিংহেৰ তাবৎ খনি মৌখিক বৃদ্ধ-বাক্য প্ৰমাণে লিখা গিয়াছে। তাহাতে দেওধাই বাইলুঙ্গ সহিত কিছু অনৈক্য হয়। অতএৱ তাহাও নিচে লিখা গিয়াছে ইত্যাদি। অৱশ্যে এই দুই মত দিয়াৰ পৰা বুৰঞ্জীৰ উপাদান বাঢ়িছে মাত্ৰ।

দেৱানৰ কৃতজ্ঞতা আৰু ৰাজভক্তিৰ পৰিচয় তলত তুলিদিয়া কথা ফাকিৰ পৰা পোৱা যায়। যেনে :—"মান সমুদ্ৰ হৈতে যে এতদ্দেশীকে উদ্ধাৰ কৰেন এই পুন্যেৰ ফলে ৺৺ ঈশ্বৰে আকল্পাবচ্ছিন্ন অখণ্ড ৰাজলক্ষী বৰ্দ্ধমান কৰুণ ও অম্ৰাৱতিপুৰ পুৰন্দৰেৰ ন্যায় প্ৰবল প্ৰতাপ সত্তা কৰুণ ও পৃয়ব্ৰত ৰাজাৰ ন্যাই চিৰকাল সতকীৰ্ত্তি বিৰাজমান কৰুণ।"

ৰজাসকলৰ যুদ্ধ-বিগ্ৰহ, ৰজা ঘৰীয়া ৰীতি-নীতি আদি, শ্ৰীমন্ত শঙ্কৰাদি মহাপুৰুষৰ আৱিৰ্ভাৱ আৰু ধৰ্ম্মপ্ৰচাৰৰ কাৰণে স্থাপন কৰা অসমৰ সকলো সম্প্ৰদায়ৰ সত্ৰবিলাকৰ নাম আৰু বিশদ বিবৰণ, সামাজিক আৰু গুৰু ঘৰীয়া ৰীতি-নীতি, মটকদৌৰাত্ম্য, মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণৰ কোম্পানীয়ে ৰাজ্যলোৱা আদি সকলোৰে বিশদ বিবৰণেৰে সৈতে এই বুৰঞ্জীখনি সঁচাকৈয়ে সৰ্ব্বাঙ্গপূৰ্ণ। এই দ্বিতীয় খণ্ডৰ পৰা প্ৰথমখণ্ডৰ বিষয়ে অলপ অচৰপ জনা যায়। যেনে :—"প্ৰথম খণ্ডেৰ—পত্ৰেতে বুৰঞ্জী পটলেৰ কথা মহকুফ ৰাখিয়া কেৱল ৰাজাগণেৰ ভোগ ও বহাল বৰখাস্তি মাত্ৰ লিখা গিয়াছে।"

মহাত্মা

শ্রীযুত ভগীরাম হকহা

"অজ্ঞানেনাবৃতং জ্ঞানং
তেন মুহ্যন্তি জন্তবঃ।"

প্রাণী সমূহক মায়াই মোহিত কবি থৈছে। ইয়াক জিনো'তা কোনো নাই। এই বিশ্বব লয় হয়। সৃষ্টিগুছি মহাপ্রলয়ত সমস্ত ব্রহ্মাণ্ড জলোবে পুব হয়। সৃষ্টিকর্ত্তা নিজ কর্ত্তব্যত অবশ হৈ বহি পুনব সৃষ্টি কার্য্যত হাত নিদিবলৈ দৃঢ় সংকল্প হৈ বহি থাকে। তথাপি মহামায়াই কাণে কাণে কৈ দিয়ে, "উঠা কর্ম্মত লাগি যোৱা। ইয়াতকৈও বিনন্দীয় সৃষ্টি হয়। অবশ নহবা"। মহামায়াব এই উদ্গণিত অবশ সৃষ্টিকর্ত্তা আকৌ মনত দুগুণ উৎসাহ আক বল লৈ নিজ কর্ত্তব্যত প্রবৃত্ত হয়। মহাপ্রলয়ব কথা এবি দিও আমি যদি ক্ষুদ্র প্রলয়ব কথালৈয়ে অলপ মন দিও তেন্তে আমি ইয়াব সত্য উপলব্ধি কবিব পাবোহেঁক। দিনব দিন কাম কবি ভাগবত অস্থিব ও শোষা পাচিত লাহকাল দি পবি আমি সকলো লৈ পাহবি যাওঁ। ধন-জন পুত্র ভার্য্যাব চিন্তাই আমাক তেতিয়া পবিহাব কবে। আকৌ শোষা পাচিব পাছ পুরা উচিব পাবিম নে নোৱাবিম ঘোব সন্দেহব কথাহে পবে। কিন্তু বেলি উঠাব লগে লগে আমি চৈতন্য লাভ কবি কামত লাগি যাওঁ। সংসাবব কর্ম্মই আকৌ আমাব মন আকর্ষিত কবে। কি আশাত আমাব এনে প্রবৃত্তি হয়? বাতি মবি অকো নুপজিলোঁনে? সেই প্রলয় ঘোব প্রলয়ত পবিণত হলে আমি কি কবিলোঁ হেঁতেন? চৈতন্য লাভ কবাব লগে লগে সংসাবব মায়াই আমাব মন মোহিত কবিলে দেখি এনেহওঁ। উপজি পবা মাত্রেই বুজিব লাগিব যে মবণো লৈ আহিলোঁ। ঘোব পেবাত সোমাই থাকিলেও আমাব এদিন নহয় এদিন মবণ আহিব।

"আজি মৃত্যু নহৈবেক শতেক অন্তব।
অবশ্যে মবণ হবে সবে জগতব"।

তথাপি এক মুহূর্ত্তলৈও ভাবো নে যে আমি মবিম? গর্ব্ব অহঙ্কাব, হিংসা-কপটতা, মায়া-মোহ এবি দিওঁ নে?

এই চুম্বব মায়াব হাত কোনোবে সাবিব নোৱাবে। ব্রহ্মাদি দেবতাব কথা এবি দিও আমি সচাচব দেখিছোঁ যে হাতীব পবা বালি চাহীলৈ সকলোবে এটা নহয় এটা কিবা বস্তুব মায়াত বদ্ধহৈ থাকে। বিবেক শূন্য পশু-পক্ষীহেঁক কেচুবা পোনাটী আক কণীকেটাব মায়াত এষন্তক আঁতবি যাব নোৱাবে। পোৱালী বা কণীকেইটা কোনোবাই লৈ যাব বা নষ্ট কবিব এই ভাবনাত সদায় সচকিত। পুত্র-ভার্য্যা, ধন-ধান, ঐশ্বর্য্য-বিভূতিব মায়াই সবাকো মোহিত কবি থাকে। যাব এইবোব নাই তাবো কিহবাবে আসক্তি বা বেলেগ এটা ভাব আছে। ধনীব ধনব কণহটিলে মায়া, দুখীয়াব ফটা কাপোব খনিতে মায়া। সংসাব ত্যাগী সন্ন্যাসব ভাঙ্গব চিলিম আক চিমটা পাটতে মায়া। ধনীয়ে টকাব কণহটি কোনোবাই চুব কবিলে যেনেকৈ ধবফবাব গৃহত্যাগী সন্ন্যাসীয়ে ভাঙ্গব চিলিমটি হেকবাইও তেনে কবিব। । পূর্ব্বে জ্ঞানী শুকে জনকক কলে, "তোমাব এতিয়াও জ্ঞান হোৱা নাই। তুমি সংসাবব মায়া এবিব নোৱাবিলা, গতিকে মোব শিষ্যত্ব এতিয়া গ্রহণ কবিব নোৱাবা।" তাতে জনক ঋষিয়ে কলে "প্রভু, আমি সকলোকে হাঁহিমুখে ত্যাগ কবিব পাবো। আমাব সংসাবলৈ সমুলি মায়া নাই। গতিকে আমাক শিষ্য কবি লওক।" তেতিয়া শুকে ঋষিক গাধুই আহি বলৈ কলত তেওঁ এগছি কৌপীন পৰ্ব্বাত বৈ অইন এগছি পিন্ধি সা ধুবলৈ গ'ল। ঋষিয়ে নৈব ওচব পাওঁতেই পৰ্ব্বাটিত ফুই লগা যেন দেখি এবিলৈ ঘোৱা কৌপীনগছি পুবিলে মঙ্গল হব বুলি গাধুই উঠি শিক্ষিবলৈ আক কৌপীন নাইকীয়া হব বুলি গা পা ধুধুই দৌৰি ফিবি আহিল। তাতে শুকে মিচিকীয়া হাঁহিবে জনকক সোঁৱাবাই দিলে, "ঋষিবাজ, আপোনাব মায়া আছে। আপুনি সংসাবত্যাগী হৈ কৌপীন গছিব মায়া এবিব নোৱাবিলে। আমাব শিষ্যত্ব গ্রহণব যোগ্য হোৱা নাই। জনকে এই কথাত লাজ পালে। তাহানি গাধৰ্ষাব দবে লগত ফুবি থকা গোপী সকলেও একান্ত ভক্তিব বলত মায়া এবি ঈশ্বৰত মিলিগৈছিল বুলি

সবেও একবাকো গর্ব্ব কবিলত ঈশ্বৰে গোপী সকলব শিক্ষা কাপোব কেইখনি লুকাই থৈ বং চালে। গর্ব্বিণী গোপী সকলব গর্ব্ব খর্ব্ব হ'ল। কাপোব নাপাই লাজতে তল মুব কবিলত ঈশ্বৰে কলে, "সুন্দবি সকল, তোমালোকব এতিয়াও মায়া আছে। আপোনাব ভাব আছে। আমাক আপোন-ভাবিলে লজ্জা ভাবত মুচ-কচ যোৱাব কাবণ নাছিল। মহাযোগী শিবই মায়া এবিছোঁ বুলি গর্ব্ব কবিলত যোগেশ্বৰে শিবক কি নকবিলে।—

• • • •
মহাযোগবলে শুদ্ধ কবি আছোঁ কায়া।
ব্রহ্মময় দেখো কি কবিবে পাবে মায়া॥
দহি আছোঁ মদনক আক শঙ্কা নাই।
মাধবে মাতন্ত হাসি শঙ্কবক চাই॥

এনে যোগী শঙ্কবক বিষ্ণুমায়াই মোহি পেলাই কি লাট-ঘাট নকবিলে? বিষ্ণুব মায়াত থকাচুটী এবিলে। পিছে যোগেশ্বৰে মায়াক আঁতবালত হে শিবব চৈতন্য আহিল

• • • •
বসিল সমাজপতি বোলন্ত উমাক মতি
আপুনি দেখিলা প্রাণ জায়া।
ভৈলোহো বাতুলপ্রায় মোব স্মৃতিবুদ্ধি নাই
কিনো নকবিলে বিষ্ণুমায়া॥

• • • o
প্রত্যক্ষ দেখিলা আজি,. যাহাব মায়াত বাজি
মোহহুবা এবিলোঁ হো লাজ।
কামগণে ভৈলো আউল চেঞ্চাই ফুবো যেন বাউল
হকবাইলো বৈকুণ্ঠ সমাজ॥

o • • •
নেদেখিলে কৈবলোক কোনে নহাসিলে মোক
লঘু হৈবে মেধাকিল ঠাই।
এতু মোব কাম্পে হিয়া, হেন জানা প্রাণপ্রিয়া
হবিব মায়াত বব নাই॥

বিষ্ণুমায়াব এনে প্রভাব! ইয়াক জিনোতা কোন আছে? এই মায়াক জিনিছোঁ বুলি কোনোবাই কলেও তাত কিমান সত্য আছে সন্দেহব কথা হে পবে। সন্ন্যাসী বৈবাগীয়ে ঘব-বাবি এবি আহি ভাঙ্গবচিলিম আক বাঘ-ছাল খনিত মায়া বাখিলে মায়াক কলহব পবা আনি ঘটত ধোৱাব লেখিয়া হে হব। তেনেহলে এই মায়াক জিনিব পাবি কি ৰূপে? মনক যেনেকৈ মনেবেহে জিনিব পাবি, কাঁইটক কিকণে কাঁইটেবেহে উলিয়াব পাবি, সেইদৰে মায়াক মায়াবে নিজিনিলে নহয়। বিষ্ণুব নামকীর্ত্তন, সাধুসঙ্গ এই দুই অস্ত্রেবে ইয়াক নিজিনিলে জিনিবলৈ অইন অস্ত্র নাই। ভক্তিব বলবে সমস্ত প্রাণীলৈকে যেতিয়া মায়া জন্মিব তেতিয়া অবশ্য—মায়াক জিনা যাব পাবে। সেই দেখিছেই ঈশ্বৰে কৈছে "মামেব যে প্রপদ্যন্তে, মায়ামেতাং তবন্তি তে॥" বাজপুত্র সিদ্ধাৰ্থই ঘব বাবি এবি, নিজব লাবা তিবোতাক পেলাই থৈ মায়া এবিব পাবিলে নে? নিবিলাকব কাবণে তেওঁব চকু পানী নোলাল সচ্চ, কিন্তু তেওঁব প্রাণে কান্দিব ধবিলে এক বিবাট ব্রহ্মাণ্ডব কথা-সুধাবি। ইয়াতে বুজিব লাগিব যে মায়া জিনা মানে ইয়াক মনব পবা আঁতবাই কঠুবা হোৱা নহয়, ববং মনেবে ইয়াব বাজ্য বহল কবাহে। শবীবত পঞ্চ ভূতব সংযোগ থাকে মানে ই স্বাভাবিক বিপু সকলব অধীনত থাকিবই। পূর্ব্বে জড়ভবতে সংসাব ত্যাগ কবিলে, কাবো লগত এনেকি কথা বতবা হোৱা এবি দিলে। তথাপি তেওঁ মায়াক আঁতবাব পাবিলে নে? মনব হবিণ পোৱালীব মায়াত আকৌ হবিণ যৌনিলে গ'ল। গতিকে তেওঁ মায়াক ডাঙ্গব কলহত নথৈ সক ঘটত ধোৱা নাছিল জানো? সেই দেখি সাধু সকলে মায়াক মায়াবে জিনি মুক্তি লাভ কবি গৈছে। তেওঁলোকে জ্ঞানক আশ্রয় কবি অন্তত মায়াব স্থান বহলাই দিছে। ধবিলোঁবা আমি অজ্ঞানীয়ে এজনে থু পেলালেই থাকিব নোৱাবোঁ, আমাব মন আছে। অথচ নিজব লবা ছোৱালীয়ে আমাব গাত পোচ কবিলেও তাব গোন্ধ নাপাওঁ। কিন্তু সেই মহাপুৰুষ সকলব মনত সকলো সমান দেখি আপোন পব ভাব তেওঁলোকব মনত নাই। সংসাবখনলৈয়ে তেওঁলোকব মায়া অথচ নিজব শবীবটিলৈকে সমুলি ভাব নাই। যেনেকে সংসাবত আমি আছোঁ, আমাত সংসাব নাই, আছুবাব তলত আমি থাকোঁ আমাত আছুবা নাথাকে সেইদৰে তেওঁলোকব

সমস্ত সংসাৰেই আপোন অথচ নিজৰ শৰীৰটিও আপোনাৰ নহয়। তেওঁলোকে সংসাৰক সঙ্কীৰ্ণ ভাৱত নলয়। বহুত ফিৰিঙ্গতি লগ হৈ ভয়ানক জুই হয়, অনেক জলৰ কণিকা একে ঠাইতে আছে দেখি মহাসাগৰ। মহাপুৰুষ সকলৰ মনতো অনেকৰ ভাৱনাই ঠাই লয়, আৰু অনেকৰ সুখ-দুখ, দৈন্য-দাৰিদ্ৰতাৰ চিন্তাই তেওঁলোকক আবদ্ধ কৰি ৰাখে। বিশ্বকে আপোন বুলিব পাৰে দেখিয়েই তেওঁলোক মহাত্মা। আমি প্ৰত্যেকেই এক বিশ্ব পিতাৰ অংশ স্বৰূপ। এনে কোটী কোটী অংশৰ বিষয় একেলগে ভাবিব পাৰিছে দেখিয়েই তেওঁলোক মহাত্মা। এনেভাব লৈহে তেওঁলোকে মায়াক জিনিছে। এই পবিত্ৰ ভাৱত মতলীয়া হৈয়েই মহাত্মা যিশু, মহম্মদ, পৰমহংসদেৱ, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, আৰু বৰ্ত্তমান ৰাজনীতিত অদ্বিতীয় পণ্ডিত গান্ধীয়ে মহাত্মা নাম পাব পাৰিছে। এনেভাৱৰ বলতেই মহাত্মাৰ মনত শত্ৰু-মিত্ৰৰ প্ৰভেদ থকা নাই। এইদৰে মায়াক মায়াৰে জিনিবলৈ যত্ন কৰিছে দেখিয়েই সিদিনা বিলাতৰ কিংচ্‌লে "হলত" ইংৰাজৰ সৰু সৰু লৰা-ছোৱালীকো বুকুত সাবতি লৈ স্নেহৰ অকৃত্ৰিম চুমা সিহঁতক দিব পাৰিলে। মায়াক জয় কৰা বাবেই তেওঁ আজি মহাত্মা। সেই দেখিয়েই শ্ৰীকৃষ্ণই গীতাত কৈছে :—

বহূনাং জন্মনামন্তে জ্ঞান্ মাং প্ৰপদ্যতে।
বাসুদেবঃ সৰ্ব্বমিতি স মহাত্মা সুদুৰ্ল্লভঃ॥

'এপ্ৰেণ্টিচ'

"গল্প"

ৰেজা কেৰিম

—১—

নৰেন্দ্ৰ বৰুৱা প্ৰেমত পৰিছে।

যৌবনত তো প্ৰেমত বহুতেই পৰে এই প্ৰেমত ৰোমিও পৰিছিল, জুলিয়েট পৰিছিল, বাইৰণেও নৰেনৰ নিচিনা বয়সত কুমাৰী চওয়াৰ্থৰ প্ৰেমত পৰিছিল। এই প্ৰেমত যে নৰেন্দ্ৰৰ নিচিনা ডেকা পৰিব তাত নো আচৰিত হবৰ কি আছে? ইমান দিন যে নপৰি আছিল সেইটোহে এই বয়সত আচৰিত!

—২—

নৰেন উচ্চ শিক্ষিত ডেকা। টকাৰো অভাব নাই। চেহেৰাও ভাল। স্বাস্থ্যও সুন্দৰ। অৰ্থাৎ যি কেইটা গুণ হলে ম'নুহ প্ৰেমত পৰে তাৰ এটাৰো নৰেন্দ্ৰৰ অভাব নাছিল। কলিকতাত থাকি এম-এ পঢ়ে। কিন্তু লিখা পঢ়াতকৈ থিয়েটাৰ চিনেমাতহে বেছি মন। সেই দিন দেওবাৰ, নৰেন আগেয়ে ৰিজাৰ্ভ কৰি থোৱা ঠাইত বহিলগৈ। খুব ভিৰ।—চিনেমা আৰম্ভ হবলৈ তেতিয়াও অলপ দেৰি আছিল, দৰ্শকৰ চকু ঘূৰি ফুৰিছিল যত মাইকী মানুহ আছিল সেই ফালে;—কিন্তু আজি কালি আৰু দৰ্শক সকলে কষ্ট কৰি ওপৰলৈ চাব নালাগে। নিজৰ নিজৰ চাৰিও ফালে সুন্দৰ সুন্দৰ মুখ চকুত পৰে।

নৰেনৰো চকু আছিল সেই ফালেই। তাৰ পিছত চিনেমা আৰম্ভ হল। দৰ্শক সকলৰ চকু ঘূৰি গৈ পৰিল ছবিৰ পৰ্দ্দাত অভিনেতা অভিনেত্ৰী সকলৰ সুন্দৰ সুন্দৰ মুখত। দৃষ্টি স্থিৰ হৈ যায় সিহঁতৰ সুন্দৰ দেহৰ লিলায়িত অঙ্গ ভঙ্গিত!

চিনেমা শেষ হলত উঠিবৰ সময়ত কিবা এটা বস্তু নৰেন্দ্ৰৰ ভৰিত লাগিল। তুলি দেখে যে আধুনিক মহিলা সকলে হাতত লৈ ফুৰা এটা সুন্দৰ সৰু "বেগ।" ইফালে সিকালে চাই দাবী কৰোতা নাপাই "বেগ" টো জেপত ভৰাই লৈ আহিল। তাৰ পিছত ঘৰলৈ আহি 'বেগটো' খুলি দেখে যে তাৰ ভিতৰত এমন সৰু ৰুমাল আৰু এখন নোট বহি। লাহেকৈ বাহিৰৰ মলাতটো খোলাতেই চকুত পৰিল সুন্দৰ মহিলা হাতৰ লেখা এটা ঠিকনা—

কুমাৰী নমিতা বসু
কুঞ্জ কুটিৰ, বালীগঞ্জ।

সেই ৰাতি সেই অপৰিচিত মহিলাৰ কথা ভাবিয়ে তাৰ ৰাতি গল। আৰু সেই খিনিতেই তাৰ প্ৰেমৰ সূত্ৰপাত!

—৩—

—তাৰ পিছদিনা পুৱা ও গল 'কি কৰা যায়!' এই ভাবনাত। বস্তুটো অনায়াসে মালিকক ফিৰাই দিব পৰা যায়। চাকৰৰ হাতত পঠাই দিব পাৰি। কিন্তু তেতিয়া হলে তাৰ মানস প্ৰতিমাৰ লগত চিনা পৰিচয় হবৰ একো সুবিধা নাপাব! বহু ভাবি চিন্তি ঠিক কৰিলে যে প্ৰথমতে এখন চিঠিকে দিয়া য'ক তাৰ পিছত যি হয় হব। যেনে কথা তেনে কাম। বহুত ভাবি চিন্তি বহুত গবেষণাৰ মূৰত কেবাখনো কাগজ নষ্ট কৰি সি এখন চিঠি লেখি নিজেই ডাকঘৰত দি আহিল গৈ। দুই তিনি দিন গল কিন্তু চিঠিৰ উত্তৰ নাই। উত্তৰৰ নিমিত্তে সি ব্যাকুল হৈ উঠে—বাৰে বাৰে পিয়নক সোধে তাৰ নামত কোনো চিঠি পত্ৰ আছেনে নাই। চাকৰক অনাহকত চিঠিৰ বাকচ চাবলৈ পঠিয়ায়; কিন্তু উত্তৰৰ কোনো লক্ষণেই নাই।—অতি অস্থিৰ ভাবে দিন যাব ধৰিলে

কেই দিন মানৰ মূৰত চিঠিৰ উত্তৰ আহিল। সৰু চিঠি। অলপ কথা। ধন্যবাদ জনাইছে;—

মিঃ বৰুৱা

'যি বেগটো আপুনি পাইছে; তাৰ মালিক ময়ে; আপুনি যে লোকৰ বস্তু ফিৰাই দিবৰ নিমিত্তে ইমান ব্যগ্ৰ হৈছে তাৰ নিমিত্তে আন্তৰিক ধন্যবাদ জানিব। আপুনি মোৰ বন্ধুৰ কামেই কৰিছে।

অনুগ্ৰহ কৰি বস্তুটি পঠাই দিব। আপোনাৰ এই উপকাৰ মোৰ মমত থাকিব।

'নমস্কাৰ'
ইতি
কুমাৰী নমিতা বসু।

চিঠি পাই নৰেন বৰ মস্কিলত পৰিল। সি ভাবিছিল তাৰ চিঠি পাই অন্ততঃ ভদ্ৰতাৰ খাতিৰতো নমিতা বসুয়ে তাক নিমন্ত্ৰণ কৰি পঠাব। কিন্তু চিঠিত দেখোন তাৰ নাম গোন্ধো নাই। অনেক ভাবি সি নমিতাৰ লগত দেখা কৰিবলৈ এটা বুদ্ধি উলিয়ালে। কাগজ কলম লৈ সি লেখিবলৈ ধৰিলে—

"বন্ধু

আপুনি মোক বন্ধু বুলি স্বীকাৰ কৰিছে। সেইটো মোৰ সৌভাগ্য। কিন্তু আপোনাৰ বস্তুটো মই ডাকত পঠিৱা ভাল বুলি বিবেচনা নকৰো। আপোনাৰ ঠিকনাটো মই জানোয়েই। আৰু মই প্ৰায় সেই ফালে ফুৰিবলৈ যাওঁ। মই এদিন গৈ নিজে বস্তুটো আপোনাৰ হাতত দি দিম। আপোনাৰ মত কি? বোধ হয় এই অহা দেওবাৰেই?...

নমস্কাৰ
ইতি
এন, বৰুৱা

চিঠিখন লেখিবৰ আজি দুদিন হৈ গৈছে। সেইদিনা শনিবাৰ। নৰেন কলেজৰ পৰা ওলাই ট্ৰামত উঠি বহিল! তাৰ মনটো সেই দিনা বিশেষ ভাল নাছিল। আপোনমনে কিবা এটা ভাবিছিল। সি ভাবিছিল আজিওতো চিঠিৰ উত্তৰ নাহিল। খং কৰিলে নে কি? কিন্তু ঘৰ পায়ে সেই ভাব কেনিবা উৰি গল। ঘৰ পাওতেই তাৰ পুৰণি চাকৰটোৱে হাঁহি মুখে এখন চিঠি তাৰ আগলৈ আগ বঢ়াই দিলে, কাৰণ সি জানে যে আজি কেইদিন মানৰ পৰা তাৰ প্ৰভুয়ে চিঠিৰ নিমিত্তে বৰ আগ্ৰহেৰে অপেক্ষা কৰে। সি লৰালৰিকৈ চিঠি খুলি পঢ়িবলৈ ধৰিলে—

বন্ধু।

আপোনাৰ চিঠি পাই সুখী হলোঁ। সচাকৈয়ে মোৰ অন্যায় হৈছে ক্ষমা কৰিব। এদিন আহিব। দেওবাৰেই ভাল। নিমন্ত্ৰণ কৰিলো। দেওবাৰে গধূলি আপোনাৰ অপেক্ষাত থাকিম।

নমস্কাৰ
ইতি
কুমাৰী নমিতা বসু।

চিঠি পাই তাৰ বৰ আনন্দ। এবাৰ ভাবে চিঠিতেইতো পৰিচয় হৈ গৈছে, ইমান সোনকালে দেখা নকৰাই ভাল। বাস্তৱতকৈ তো কল্পনাই মধুৰ! আকৌ পিছ মুহূৰ্ত্ততেই ভাবে হয়তো এই সুযোগ নাপাবত্ত পাৰে মনত পৰে—

"Who kuows bnt the world may end to night"—(কোনে জানে আজি ৰাতিয়ে পৃথিবী ওলত পালত হৈ নাজাব?) সেই কাৰণে নিমন্ত্ৰণ ৰক্ষা কৰিবই লাগিব।

—৪—

গৰীয়াহাট ৰোডৰ ওপৰতেই এটা সুন্দৰ বঙলা। সৰু হলেও বেচ সজোৱা। দেখিলেই মনত হয় গৃহ স্বামীৰ ঘৰ সজোৱাত নিপুণতা আছে। তেতিয়াও সন্ধ্যা হোৱা নাই। এজনী ছোৱালী, বয়স ১৭।১৮ মান হব বাৰান্দাত বহি কিবা এখন কিতাপ পঢ়ি আছে।

হঠাৎ মোটৰৰ হৰ্ণ শুনি মুখ তুলি দেখে সিহঁতৰ বঙলাৰ গেটতেই এখন মোটৰ আহি ৰৈছেহি—এজন ধুনীয়া ডেকা চাৰিও ফালে চাই চাই লাহে লাহে তাইৰ ফালেই আহিছে। তাই ভাবে এৱে নৰেন্দ্ৰবাবু নে কি? যুবক ওচৰলৈ আহি দুই হাত তুলি নমস্কাৰ কৰিলে।

"নমস্কাৰ, কাক বিচাৰিছে?"

"ইয়াত নমিতা বসু বুলি কোনোবা আছে নে?"

"আপোনাৰ নাম"?

"নৰেন্দ্ৰ। কুমাৰী নমিতা বসুৱে মোক ইয়ালৈ আহিবলৈ লেখিছিল।"

'অ মোৰে নাম নমিতা বসু আইক !

ভিতৰলৈ নি নানা কথা আৰু চাহেৰে নৰেন্দ্ৰক আদৰ সাদৰ কৰিলে।

—৫—

নৰেন্দ্ৰৰ লগত নমিতাৰ প্ৰথম পৰিচয় এনেকৈয়ে ঘটে। তাৰ পিছৰ পৰাই নৰেনে সদায় নমিতাইতৰ ঘৰলৈ অহাযোৱা কৰিবলৈ আৰম্ভ কৰে। নমিতাক বন্ধু পাই নৰেন্দ্ৰৰ দিন সুখতেই গৈছিল। নতুন নতুন নানা ৰকম কল্পনাত তাৰ যৌবনৰ-ৰাগি খুব ঘোৰ হৈ উঠিল।

এটা বছৰ এনেকৈয়ে গ'ল। এই এবছৰ সি নমিতাক বন্ধুৰূপে পাইছে—কিন্তু নমিতাৰ মনৰ ভাব এতিয়াও একো বুজিব পৰা নাই। আষাৰৰ আধা-আধি গৈছে। ক'লা মেঘ বোৰ আকাশত ক'লা দৈত্যৰ দৰে ইফালে সিফালে ঘুৰি ফুৰিছে। সন্ধ্যাটো অলপ দেৰি। নমিতাই তেতিয়া ঘৰত বহি অৰ্গেন বজাই গাব লাগিছে—

এস হে এস সজল ঘন বাদল বৰিষণে
বিপুল তব শ্যামল স্নেহে এস হে এ জীবনে···

গানৰ সুৰ প্ৰাণৰ আবেগৰ লগত মিলি চাৰিও ফাল বিয়পি পৰিছে।···গান বন্ধ হৈ গ'ল—।

নমিতাই দেখিলে নৰেনে দৰজাৰ এফালে থিৰ হৈ তাইৰ ফালেই মুগ্ধ দৃষ্টিৰে চাই আছে। কি মিঃ বৰুৱা কেতিয়া আহিল ?"

"সুন্দৰ গাইছিল, বল কিয় ?" নমিতাই ইয়াৰ কোনো উত্তৰ দিবৰ প্ৰয়োজন বোধ নকৰিলে—সকলোৱে বিশেষকৈ নৰেন্দ্ৰৰ দৰে ডেকা শ্ৰেণীয়ে এনেকৈ গানৰ প্ৰশংসা কৰেই, তাত একো নতুনত্ব নাই।

"বহুত দিনৰ মুৰত আপোনাক দেখিছোঁ। কি ভাবিছে ? কথা নকয় দেখো ? বোষা হলানে কি ?" নমিতাই নিজে নিজে উচ্চ হাস্য কৰি উঠিল।

নৰেন্দ্ৰই গম্ভীৰ হৈ কলে—"আৰু কিমান দিন মই ধৰিবলৈ অপেক্ষা কৰিম—অনুমতি। তাৰ পিছত নমিতাৰ হাতত ধোৱাতে নমিতাই হাত দুখন আতৰলৈ টানি লৈ কয়—

"মিঃ বৰুৱা, আপুনি মহা ভুল কৰিছে। মোৰ বহুত পূৰ্ব্বেই মিঃ দাসৰ লগত বিয়া ঠিক হৈ আছে। আপোনাক মই বন্ধু বুলিয়েই ভাবোঁ আৰু ভাবিম। কিন্তু আজি আপুনি ই-কি দাবী কৰিছে ?···মই বৰ চঞ্চাত। বেয়া নাপাব। ভাৰতত ছোৱালীৰ অভাব নাই—মোতকৈ ভালেই পাব। বিয়াখন কৰি পেলাওক, I wish you good luck"

নৰেন্দ্ৰৰ মুখত মাত নোহোৱা হ'ল। এটি দীৰ্ঘ নিশাস তাৰ অজ্ঞাতেই ওলাই পৰিল। আৰু মনত হ'ল—ইমান দিন তিনিহলে 'এপ্ৰেচিচ খাটিছেই মৰিলো'।···

(শেষ)

সুন্দৰ

—শ্ৰীযুত দেৱকান্ত বৰুৱা

কবিতা—

কাৰ পৰশত ?
ধৰণীৰ ধূলে উছৱত
উঠিছে শিহৰি'
ফলৰ বুকুত দেহি ফুলৰ বাতৰি !
মনৰ বনতো মোৰ হাঁহি উঠে ফুল
আবেগ আকুল !
প্ৰতি ফুল বঙা কাৰ তেজে বুকুৰ ?
কাৰ সুৰ ?
আকাশে আকাশে বাজে তৰাৰ প্ৰাণত,
বতাহে বতাহে ভাহে সুৰভি-বানত !
কোনে নো ফুলায় ফুল ? কোন দেৱতাৰ পৰি
বাটৰ-কাঁইটে-বিন্ধা-চৰণ-কৰিৰ ?
পথৰ ধূলিত কঁপে কামনাৰ ভাষা,
নাচি উঠে হিয়া দুৰ্বিৰ !

ধৰণীৰ ফুল লতা,
বিহগৰ কলকথা
মাটিৰ মহিমা-দীপ্ত আনন্দৰ বিজুলী লহৰ,
সবাবে চেনেহ-সনা বন্ধুৰ উছহ-বাণী
'সুন্দৰ' 'সুন্দৰ'!
কোনেনো কঁপায় মন ? কাৰনো যৌবন ?
নীৰৱে বিনাই মৰে বননিৰ পাতে পাতে
লাগি কোন অমৃতৰ
নিভৃত স্পন্দন···

* * *

মই কবি,
আকোঁ সেই অচিনাকী সুন্দৰৰ ছয়াময়া ছবি
ভাষাৰ তুলিবে,
সৃষ্টি কৰোঁ অমৃতৰ অপূৰ্ব্ব যুবতি
ছন্দৰ বৰণ সানি
ধৰাৰ ধূলিবে !

নাট্যজগতত ভূমুকি

বাগিণীৰ নৃত্য— —নটৰাজ

লুপ্তপ্ৰায় প্ৰাচ্য নৃত্যকলা পুনৰ সঞ্জীৱিত কৰাৰ প্ৰয়াস বেছি দিনৰ পুৰণি কথা নহয়। কল্পনাক ৰূপ দিয়া এই আটটো পুৰণি ভাৰতত একালত সফলতাৰ উচ্চতম স্তৰ



পাইছিলগৈ। তাৰ পিছত যেতিয়া চৰ্চ্চা আদিৰ অভাৱত ই প্ৰায় লোপ পাই আহিবলৈ ধৰিলে, তেতিয়া আপৰ নৃত্যকলাৰ নটৰাজৰ তাণ্ডৱ, গৌৰীৰ লাস্য আদিৰ উচ্চাঙ্গৰ নৃত্যবোৰৰ ঠাই অধিকাৰ কৰিলেহি তৃতীয় শ্ৰেণীৰ নাচ কেতবোৰে। তাত নাই তাণ্ডৱ, নাই লাস্য, নাই বিলাস—আছে মাথোঁ কেতবোৰ অসম্পূৰ্ণ আৰু অসঙ্গত হাব-ভাব। পুৰণি ভাৰতীয় নৃত্যৰ কেতবোৰ অঙ্গি-ভঙ্গী, লাস্য আদি পাষাণত ৰূপ ধৰিলেগৈ অজন্তা গুহাত, তক্ষশিলাত, আৰু দেৱমন্দিৰবোৰৰ গাত।

স্ৰষ্টা-শিল্পী কেতবোৰৰ আৱিৰ্ভাৱ হ'ল। তেওঁলোকে এই পাষাণ ৰূপৰ পৰা পালে প্ৰেৰণা,—অদম্য উৎসাহ। প্ৰাচ্য নৃত্যকলাৰ অৱশিষ্টাধিনিৰ লগত এই পাষাণমূৰ্ত্তিবোৰৰ লাস্যখিনি যোগ কৰি ভাৰতীয় নৃত্যক পুনৰ সঞ্জীৱিত কৰাৰ উদ্দেশ্যে সাধনা কৰিবলৈ ধৰিলে। ৺ আনা পাভলোভা, উদয়শঙ্কৰ, মেনকা, বাগিণী আদি স্ৰষ্টাশিল্পী আদিৰ জীৱন এই সাধনাৰ কাৰণেই উৎসৰ্গকৃত হ'ল। বিশ্ববিখ্যাত নৰ্ত্তকীৰাণী স্বৰ্গীয়া আনা পাভলোভাই অজন্তাৰ মূৰ্ত্তিত বেথাৰ সমন্বয় দেখি আনন্দত নাচি উঠা কথা কোনে নাজানে ? তেওঁৰ মৃত্যুৰ পিছত প্ৰাচ্য-নৃত্য-কলা-বিশাৰদ উদয়শঙ্কৰে তেওঁৰ সহ-নৰ্ত্তকী পাভলোভাৰ অসম্পূৰ্ণ কামখিনি হাতত ললে। তেওঁৰো সাধনা হ'ল ভাৰতীয় নৃত্যকলাৰ চৰম বিকাশৰ প্ৰয়াস। তাৰ পিছত



মেনকা দেৱীৰ নৃত্যই ভাৰতীয় নৃত্যৰ ধাৰা সলাই দিলে। তেওঁ প্ৰাচ্য নৃত্যৰ লগত পাশ্চাত্য নৃত্যৰ সমন্বয় কৰিবলৈ

যাওঁতে তেওঁৰ নৃত্যত প্রাচ্যতকৈ পাশ্চাত্য ভঙ্গী বেছিকৈ ফুটি ওলাল। ইয়াৰ পিছত আহিল মাৰ্কিণ-কৰ্ত্তকী বাগিণী দেৱী। আমাৰ এই প্ৰৱন্ধত বাগিণী দেৱীৰ নৃত্যহে আলোচ্য বিষয়, গতিকে উদয়শঙ্কৰ, মেনকা আদিৰ নৃত্যৰ আলোচনা পিছলৈ থোৱা হ'ল।

ভাৰতলৈ আহি নৃত্য দেখুৱাৰ আগেয়ে, বাগিণীৰ বিষয়ে আলোচনা আৰু কথা বতৰাবোৰ পঢ়ি মনত বৰ ওখ আশা আছিল—বহুত দিনৰ মুৰত আকৌ এবাৰ উচ্চাঙ্গৰ নৃত্য দেখিবলৈ পাম। এই বছৰৰ আৰম্ভণিতে বাগিণী দেৱীয়ে তেওঁৰ নৃত্য চাবৰ সুযোগ দিছিল।

সকলো যুগতে সকলো জাতিৰ সূক্ষ্ম বা স্থূল জীৱন-যাত্ৰাত নৃত্যকলাৰ ঘনিষ্ঠ যোগ আগ। আথৰেৰে লেখা যি কোনো জাতিৰ বুৰঞ্জীয়ে সেই জাতি সম্বন্ধে যি ৰাক্ত কৰিব নোৱাৰে, সেই জাতিৰ এটা ধৰ্ম্মনৃত্য বা যুধ-নৃত্য চাই তাৰ বেছি কথাৰ খৰৰ পোৱা যায়। মানৱদেহৰ



গতি-ভঙ্গীত বা ভাব-ব্যঞ্জনাত যি অপাৰ্থিৱ সৌন্দৰ্য্যৰ সন্ধান পোৱা যায়, সেয়েই ছৈছে হিন্দু নৃত্যকলাৰ প্ৰাণস্বৰূপ। ইয়াৰ লগত কামগন্ধৰ সংস্পৰ্শ নাই। এইখিনিতেই প্ৰাচ্য আৰু পাশ্চাত্য নৃত্যৰ ভিতৰত প্ৰভেদ। পাশ্চাত্য নৃত্যৰ যিখিনি আধ্যাত্মিক প্ৰাণ আছিল, তাক নতুন নৃত্যসঙ্গীত 'জাজে' (Jazz) হত্যা কৰিলে।



প্ৰকৃত শিল্পীৰ মনত আৰ্ট এটা hobby বা খেলা নহয়—ই তেওঁৰ মনত এটা মোহ,—এটা ধৰ্ম্ম, পবিত্ৰ—স্বৰ্গীয়। বাগিণীৰ নৃত্য ওখ খাপৰ হলেও তাত কেতবোৰ বিষয়ৰ অভাৱ। কল্পনাৰ কণ দি ফুটাই তুলিবলৈ বাগিণীৰ ঐকান্তিক সাধনাক কোনেও অস্বীকাৰ কৰিব নোৱাৰিব। আৰু এতিয়া যিখিনিৰ অভাৱ আছে, কালক্ৰমত সি যে পূৰ্ণ হৈ স্থিতিবগৈ তাতো কাৰো সন্দেহ কৰিব লগীয়া একো নাই। বাগিণী ভাৰতত উপজিলেও তেওঁৰ বাপেক মাক আমেৰিকান আৰু তেওঁ ডাঙৰ দীঘলো হৈছে আমেৰিকাত। "মোৰ জন্মভূমি ভাৰতবৰ্ষক মই ভাল পাওঁ। হিন্দু সঙ্গীত আৰু নৃত্যকলাৰ মাজেৰে মই মোৰ জীৱন দেৱতাক পূজা কৰিম, এয়েই মোৰ একমাত্ৰ সাধনা।" এইখিনি তেওঁৰ নিজৰ মনৰ কথা। ভাৰতীয় নৃত্যকলাৰ সাধনাৰ বাবে তেওঁৰ অদম্য উৎসাহ, একমুখী প্ৰেৰণা। এই উৎসাহৰ বশৱৰ্ত্তী হৈয়েই তেওঁ হিন্দু নৃত্য

চৰ্চ্চাৰ উপৰিও চৰ্চ্চা কৰিছিল হিন্দু সঙ্গীত। তেওঁ যেতিয়া ৰাগেশ্ৰী ৰাগত হিন্দুস্থানী সঙ্গীত গায়, তেতিয়া তেওঁক কোনে কব আমেৰিকান মহিলা বুলি? গীতৰ লগে লগে যেতিয়া হাত, ভৰি, আৰু দেহৰ লয়লাস ভঙ্গীৰ নৃত্যৰে মানৱলীলাৰ অভিব্যক্তি কৰে, তেতিয়া সেই দৃশ্য অপূৰ্ব্ব—অপৰূপ হয়।



ভাৰতীয় কলা আৰু সাহিত্যত ৰাধাকৃষ্ণৰ লীলাই ওখ আসন অধিকাৰ কৰি আছে। বাগিণী দেৱীৰ নৃত্য-অভি-ব্যক্তিৰ বেছি ভাগ কথা ৰাধা কৃষ্ণৰ লীলাৰ পৰা গৃহীত। 'পানিহাৰিণ', 'জীৱন-তৰণী', 'যৌৱনৰ ছন্দ', 'চিৰন্তনী নাৰী', 'বসন্ত লীলা', 'পুষ্পহাৰ', 'ৰাধাৰ অনুৰাগ', 'ভাব-বিহ্বল কৃষ্ণ বা কৃষ্ণৰ আনন্দ নৃত্য' আদি কেবাটাও অভিব্যক্তি-মূলক নৃত্য তেওঁ দেখুৱাইছিল। ইয়াৰ ভিতৰত 'চিৰন্তনী নাৰী', আৰু 'বসন্ত লীলা' আছিল পাশ্চাত্য ভঙ্গীৰ নৃত্য। নৃত্যবোৰৰ ভিতৰত আমাৰ আটাইতকৈ ভাল লাগিছিল 'চিৰন্তনী নাৰী'ৰ নৃত্যেৰে অভিব্যক্তি। সকলো মান, অপমান, ঈৰ্ষ্যা, দ্বেষ, অহঙ্কাৰ আদিৰ মাজতো নাৰীৰ নাৰীত্ব ফুটি ওলায়। আন যিয়েই নহ'ক কিয়, নাৰী সদায় নাৰী। এই নাৰীৰ মাজতে ৰমণী, কামিনী, জননী আদি বিভিন্ন গুণান্বিত নাৰীৰ বিকাশ। নৃত্যৰ মাজত এই কথাটোৱেই ফটফটীয়াকৈ ফুটি ওলাইছিল। তাৰ পিছতে ধৰিব পাৰি শ্ৰীকৃষ্ণৰ আনন্দ নৃত্য। এই নৃত্যটোৰ কেটামান ভঙ্গীত অসামঞ্জস্য থকা যেন লাগিল। শ্ৰীকৃষ্ণই আনন্দত ইমান ভাববিহ্বল হৈ নাচিবলৈ ধৰিলে যে কৃষ্ণৰ হাতত বাঁহীটো নথকাহেঁতেন মানুহে কলেহেঁতেন —এয়া কৃষ্ণৰ নৃত্য নহয়, নটৰাজৰ তাণ্ডৱ নৃত্যহে। বেশৰ লালসলনি কৰি আৰু বাঁহীটো হাতৰপৰা গুচাই শ্ৰীকৃষ্ণৰ আনন্দ নৃত্য দুবুলি নটৰাজৰ তাণ্ডৱ বুলিলেহে ভৰালে-হেঁতেন। এই নৃত্যটোৰ এইখিনি অসামঞ্জস্যৰ বাহিৰে আন নৃত্যবোৰ কম বেছি পৰিমাণে সুন্দৰ অভিব্যক্তিমূলক হৈছিল। 'ৰাধাৰ অনুৰাগ' নৃত্যত আমি দেখিবলৈ পাওঁ—শ্ৰীকৃষ্ণৰ বাঁহীৰ ধ্বনি শুনি লাজকুৰীয়া ৰাধাৰ যাওঁ নাযাওঁকৈ অগা-পিছা ভৰি তাৰ পিছত হাতেতে পাই



হেৰোৱাৰ ভয়ত লাজ মান কাতি কৰি পৈ উদ্‌ভ্ৰান্তভাৱে আত্মসমৰ্পণ। সন্ধিগা নাও বাই যাওঁতে পানীত কেউদিশে

উঠিছে ঢৌ, বিণ্‌বিৰকৈ বোৱা মলয়াৰ বা' ছাটি গাত লাগি অন্তৰ মন পুলকিত কৰি তুলিছে, এই সকলো-বোৰ মহিমময়ৰ সৌন্দৰ্যৰ প্ৰকাশ, সেই সুন্দৰৰ লগত আমি আত্মাক লীন কৰি দিবলৈ বিচাৰোঁ,—এই ভাৰ শৰীৰ আৰু হাত ভৰিৰ লহলাসেৰে বঢ়িয়াকৈ ফুটাই তুলিছিল 'নাৰৰীয়াৰ গীত' বা 'জীৱন-তৰণী' বোলা গীতটোত নৃত্য সংযোগ কৰি। এই দুটা উদাহৰণৰ পৰা বেছি নকলেও বুজিব পাৰি তেওঁৰ interpretative dance বা ভাবাভিব্যক্তিমূলক নৃত্যাংশ কিমান সুন্দৰ আৰু কিমান ওখ আপৰ আছিল।

বাগিণী দেৱী ওখ, লাহি আৰু দেখিবলৈ ধুনীয়া আছিল। চকু-মুখত যেন সদায় সপোন এটা লাগি আছে। তেওঁ কায়মনোবাক্যে হিন্দু নৃত্যগীত চৰ্চ্চাত লাগি আছে। উদয়শঙ্কৰৰ এটা নিজৰ বৈশিষ্ট্য যেনেকৈ আছে, তেনেকৈ বাগিণীৰো আছে। তথাপি উদয়শঙ্কৰ কেৰাটাও বিষয়ত বাগিণীৰ ওপৰত। ইয়াত তুলনামূলক সমালোচনা কৰাৰ উদ্দেশ্য আমাৰ নহয়। মাথোঁ ইয়াকেই কব খুজিছোঁ যে প্ৰাচ্য নৃত্যকলাত বাগিণীয়ে এটা বিশিষ্ট স্থান অধিকাৰ কৰি আছে আৰু চৰ্চ্চাৰ গুণে তেওঁৰ নৃত্যকলাই উত্তৰোত্তৰ সমৃদ্ধি লাভ কৰিব বুলি আমি আশা কৰোঁ।

———

দো-ধাৰা

গল্প— —শ্ৰীযুত ৰমা দাশ

বিশিষ্ট আইনজ্ঞ বুলি সমাজত মোৰ যথেষ্ট সম্মান আছিল। সকৰেপৰা এই ব্যৱসায়টোলৈ মোৰ অলপ ঝাপ আছিল। মোৰ বিশ্বাস, এই ব্যৱসায়ৰ বিভিন্ন ঘটনাৱলীৰ পৰা মানৱ জীৱনৰ কিছুমান গুপ্ত বহস্য বেছি সুবিধাৰে উদ্ঘাটন কৰা যায়। এই ক্ষুদ্ৰ জীৱনৰে নানা অভিজ্ঞতাই এই বিশ্বাসটো মোৰ মাজে মাজে বেছি বদ্ধমূল কৰি তুলিছিল। আৰু ঠিক তেনেকুৱা এটি অভিজ্ঞতাকে আজি বৰ্ণাম বুলি আগ বাঢ়িলোঁ।

অৱশ্যে আদিবেপৰা এই ঘটনাটো আনক জনোৱাৰ মোৰ সমূলি ইচ্ছা নাছিল। কিন্তু আজি দীৰ্ঘ ছমাহে নানা চেষ্টা কৰিও এটি কৰ্ত্তব্যত অকৃতকাৰ্য্য হোৱাত ব্যথতাৰ এটি গধুৰ আবেগে মোক কবলৈ বাধ্য কবাইছে।

ঘটনাটি অৱশ্যে তেনেই সৰু। ই আমাৰ দৈনন্দিন জীৱনৰ নিতে ঘটা এখনি সবল নাটিকা; কিন্তু সবল হলেও বিশ্লেহমূলক। যদিও ই মোৰ বোধেৰে বৰ হৃদয়-বিদাৰক, তথাপি আজি এই ছমাহে মোৰ ধাৰণা হৈছে যে ই প্ৰায়েই জগতত সদায় সকলো ঠাইতে ঘটে।

ঘটনাটি এই। আজিৰপৰা ঠিক ছমাহ আগেয়ে, নগৰৰে এঘৰ সম্ভ্ৰান্ত বৃদ্ধা বিধৰাৰ ঘৰত, তেখেতে মৃত্যুৰ সময়ত কবি যোৱা উইল এখনৰ দায়িত্ব ভাৰ গ্ৰহণ কবিবলৈ মোলৈ অনুবোধ আছে। মই সচবাচবে যেনেকৈ যাওঁ সিদিনাখনো ঠিক তেনেকৈয়ে গৈছিলোঁ।

প্ৰথমে ঠিকনা মতে ঘবটো বিচাবি উলিয়াত অলপ পলম হয়. কিন্তু শেষত সহজতে গৈ পাওঁ। ঘবৰ ভিতৰত চাবিওফালে চকু পৰা মাত্ৰকে মোৰ ধাৰণা হয় যে ঘবটো কোনোবা চহকী মানুহৰ। মেজ, মাছিয়া আৰু



সীতা জন্ম

কলিকতাৰ এখন, নিজ কলিকতাত।

আন আন বস্তুবিলাক সুন্দৰ আটোমটোকাবিকৈ সজোৱা আছিল। ঘৰটোও ভাল মজবুতকৈয়ে সজা। কিন্তু সৌন্দৰ্য্য থাকিলেও তাত আড়ম্বৰৰ পৰিবৰ্ত্তে এটি সৰলতাহে যেন মোৰ চাৰিও ফালবপৰা চকুত পৰিছিল। আন কি চাৰিও কাষৰ বেৰবোৰৰ পৰাও মই এটি আকুলতা ফুটি ওলোৱা যেন দেখিছিলোঁ।

বৃদ্ধা খোটালীটোৰ এম্বৰে বিছনা এখনত শুই আছিল। মই তাৰে ওচৰত চকি এখন টান মাৰি বহিলোঁ গৈ। মোক ঘোৱা দেখি তেখেতে বিছনাতে অলপ উঠি বহিবলৈ চেষ্টা কৰা যেন পাই, মই উঠি গৈ গাৰু ছটামান দি বেৰত আউজি বহিবলৈ সুবিধা কৰি দিলোঁ।

বৃদ্ধাৰ উশাহ তেতিয়া নিয়মিততকৈ অলপ খৰ আছিল। আৰু মাতটোও ভিত্তিত লাগি লাগি মাজে মাজে বৈ বৈ ওলাইছিল। প্ৰথমতে বৃদ্ধাই কলে, "ডাঙৰীয়া আজি যিটো কৰ্ত্তব্যৰ কাৰণে আপোনাক ইয়ালৈ মাতি আনিছোঁ, সি মই জনা বহুতো কথাতকৈ বেছি মৰ্ম্মস্পৰ্শী, বেছি কঠিন আৰু কষ্টকৰও। কিন্তু মই জানো, আপুনিয়েই অকল সেই কামৰ বাবে উপযুক্ত, আৰু মই আশা কৰোঁ আপুনি মোলৈ চাই তাত যত্নৰ অলপো ত্ৰুটি নকৰিব। (হাতেৰে আঙুলিয়াই) সৌ মেজৰ ওপৰতেই উইলখন আছে। যদি অগত্যা আপুনি তাত লিখা মতে কৃতকাৰ্য্য হব নোৱাৰেও, তথাপি আপোনাৰ ফী স্বৰূপে আপুনি তিনি শ টকা ৰূপ পাব, আৰু যদি পাৰে তিনি হেজাৰ। কিন্তু মোৰ মৃত্যুৰ পিছতো মই মোৰ ল'ৰাটোক আকৌ পাব খোজোঁ।"

বৃদ্ধাৰ প্ৰত্যেক কথাটোৱে ঘৰৰ নীৰৱতা ভেদ কৰি যাবলৈ ধৰিলে। ক্ষন্তেক জিৰাই, অলপ জোৰ দি বিছনাত পোন হৈ বহি লৈ বৃদ্ধাই আকৌ আৰম্ভ কৰিলে, "আপুনিয়েই মোৰ জীৱনৰ বুৰঞ্জীৰ প্ৰথম শ্ৰোতা। চেষ্টা কৰিম, যাতে শেষলৈকে সকলো কবলৈ গাত বল থাকে। আপোনাক যথেষ্ট দয়ালু বুলি জানো। অন্তৰৰ সকলো গোপন কথা আপোনাক মেলি-খুলি কবলৈ চেষ্টা কৰি চাম। যাতে আপুনি সকলো বিচাৰি চাই, মোক সহায় কৰিবলৈ প্ৰাণত আবেগ পাব পাবে।

"আপুনি শুনি যাব :

"মোৰ বিয়াৰ পূৰ্ব্বে, ডেকা এজনক মই ভাল পাইছিলোঁ। কিন্তু তেওঁৰ দাবী ঘৰত প্ৰত্যাখ্যাত হয়, —তেওঁ দুখীয়া বুলি। তাৰ বেছি দিন পিছত নহয়, এজন ধনী মানুহৰ ল'ৰাৰ লগত মোৰ বিয়া হৈ যায়। মই যে স্বইচ্ছাৰে সম্মতি দিছিলোঁ তেনে নহয়, অকল বাধ্যত। আৰু জগতৰ যেনেকৈ বেছি ভাগ গাভৰুৰে বিয়া হৈ যায়, —বাধ্যত অনুবোধত, আৰু প্ৰাণ-হীন ভাবে, ঠিক তেনেকৈ মোৰো বিয়া হৈ গ'ল।

"মোৰ এটি সন্তান হয়—এটি ল'ৰা। তাৰ কেবছৰ মান পিছতেই স্বামী ঢুকায়। মই যাক ভাল পাইছিলোঁ, তেৱোঁ ইতিমধ্যে বিয়া কৰাইছিল। মোৰ মুক্তিৰ কথা শুনি তেওঁ তেওঁৰ বন্ধনৰ কথা ভাবি শোকতে তেনেই ভাঙি পৰিল। তেওঁ মোক চাবলৈ আছে! মোক দেখিয়েই প্ৰথমতে কান্দি পেলোৱা দেখি মোৰ বুকু খহি যাওঁ যেন কৰিছিল। প্ৰথমতে তেওঁ মোক বন্ধুভাৱে দেখা কৰিবলৈ আহিছিল। আজি ভাবিছোঁ কিজানি তেওঁক একেবাৰে মই নেদেখা-হেঁতেনেই ভাল আছিল। কিন্তু তেতিয়া নিজক সংযত কৰিবলৈও মোৰ শক্তি নাছিল। মই আছিলোঁ অকলশৰীয়া, তাতে অন্তৰত আছিল দুখ, শোক আৰু নৈৰাশ্য। গতিকে তেতিয়া তেওঁক পাই মোৰ ভালেই লাগিছিল। হায়! বিধিয়ে নাৰীৰ কপালত কত দুখেই নো লিখিছে!

"পৃথিবীত অকল মোৰ বুলিবলৈ তেৱেঁই আছিল। আই-বোপায়ে মোক বহুদিন আগেয়ে এৰি যায়। প্ৰায় সদায়ে তেওঁ আহিছিল। আবেলিটো প্ৰায়ে দুজনৰ একে লগেই যায়। তেওঁ বিবাহিত ওপৰে মই তেনেকৈ ঘণাই তেওঁক আহিব দিব নাপাগিছিল! কিন্তু বাধা দিবলৈ প্ৰাণত তেতিয়া মোৰ শক্তি নাপাইছিলোঁ। তাৰ পিছত। তাৰ পিছৰ ডোখৰ কোৱাত অলপ টান পাইছোঁ।

"...তেওঁ মোৰ প্ৰণয়ৰ পাত্ৰ ছিচাপে বৈ গ'ল। কিয়? বোধ কৰোঁ আপোনাক বুজাব নোৱাৰিম। আপুনি বোধ কৰোঁ কব পাৰে যে, যেতিয়া এবাৰ নোৱাৰা বুকুৰ টানে ইটিক সিটিৰ ওচৰলৈ টানি নিয়ে, যেতিয়া ইজনৰ

চিন্তাত সিঞ্জনে নিজক হেকৰাই পেলায়, বোধ কৰোঁ সদায় এনেকুৱাই হয়। আপুনি বিশ্বাস কৰে নে নাই কব নোৱাৰোঁ, কিন্তু আমি যিজনক পূজা কৰোঁ, যাৰ সামান্য আকাঙ্ক্ষা এটিও পূৰাবলৈ আমি ব্যাকুল হৈ পৰোঁ, যাক সকলো সুখৰ মূলটি বিশ্বাবলৈ আমি বলিয়া হওঁ, তাক সমাজৰ ৰীতি মানি চলি, নিৰাশ পথৰ পথিক কৰিবলৈ আমি বৰ টান পাওঁ। তেওঁৰ,—সেই আমাৰ অন্তৰ্যামী জনৰ, প্ৰাৰ্থনা, কাকুতি, চকুৰ কৰুণ লো, মুখৰ উদ্‌ৰাউল ভাষা, দোঁ-খোৱা, আঠুৰ মিনতি, প্ৰাণৰ আকুল আবেগ, সেই সকোৰ আওকাণ কৰিবলৈ আমাৰ সদায় শক্তি নাথাকে। আমি সদায় আশা দি থাকি, এদিন তাক পূৰ্ণ নকবাকৈ থাকিব নোৱাৰোঁ।

"মুঠতে কবলৈ গলে মই তেওঁৰ প্ৰণয় ভিক্ষা গ্ৰহণ কৰিছিলোঁ। আৰু গ্ৰহণ কৰি সুখো পাইছিলোঁ। তাৰ পিছত। আৰু এটি মোৰ দুৰ্ব্বলতা, বোধ কৰোঁ কাপুৰুষতাও। মই তেওঁৰ পৰিবাৰে সৈতে বন্ধুত্ব স্থাপন কৰিলোঁ, আমাৰ সুবিধাৰ কাৰণে।

"আমি দুয়ো মোৰ ল'বাটিক তুলি-তালি ডাঙৰ কৰিলোঁ। সি উদাৰ আৰু মহৎ ভাৱত ডাঙৰ হ'ল। চতুৰ, বুদ্ধিমান আৰু দৃঢ় নৈতিক চৰিত্ৰসম্পন্ন কৰি আমি অশেষ কষ্টেৰে তাক প্ৰকৃত মানুহ কৰি তুলিলোঁ। তাৰ সোতৰ বছৰ বয়স হৈছিল।

"সি,—মোৰ সেই ল'বাটোৱে, তেওঁক বৰ ভাল পাইছিল, প্ৰায় মোৰেই নিচিনা। কিয়নো আমি দুয়ো তাক সমান ভাৱে আদৰ সাদৰ কৰিছিলোঁ। সি তেওঁক মৰমতে "বন্ধু" বুলি মাতিছিল, আৰু প্ৰগাঢ় ভক্তি কৰিছিল। জীৱনৰ সকলো সঙ্ক উদ্দেশ, সহিষ্ণুতা, সম্মান আৰু সাধুতাৰ সকলো সঙ্ক আহি সি তেওঁৰপৰা পাইছিল। সি তেওঁক তাৰ মাকৰ এজন বিশ্বাসী অন্তৰঙ্গ বন্ধু হিচাপে দেখিছিল, আৰু তাৰ নিজৰ এজন শিক্ষক, বক্সী আৰু পিতৃ হিচাপে ভক্তি কৰিছিল। তাৰ অন্তৰৰ ভাব বোধ কৰোঁ মই আপোনাক বুজাব নোৱাৰিম।

"সি কেচুৱাৰে পৰা আমাক দুয়োকো বোধ কৰোঁ একেলগে অন্তৰক্ত হিচাপে সদায় দেখি, জীৱনত কেতিয়াও তেওঁৰ বিষয়ে মোক কোনো প্ৰশ্ন সোধা নাছিল। বোধ কৰোঁ সোধাৰ সি কোনো কাৰণো দেখা নাছিল।

"তাৰ পিছত। সেই নিষ্ঠুৰ দিন।

"তেওঁক প্ৰায় মাজে মাজে আমাৰ ঘৰলৈ ৰাতি থাবলৈ মাতিছিলোঁ। মোৰ পক্ষে সেই নিশাবোৰ বৰ আনন্দৰ আৰু উপভোগৰ আছিল। সিদিনা বন্ধা-বঢ়া সকলো শেষ কৰি মই ঘৰত অপেক্ষা কৰি আছিলোঁ। মোৰ ল'বা আৰু তেওঁ তেতিয়াও ঘুৰি আহি ওলোৱা নাছিল। এটি অজান আনন্দ আৰু উৎকণ্ঠা লৈ মই ঘৰৰ ভিতৰতে ইফালে সিফালে ঘুৰি আছিলোঁ। বাহিৰত খিৰিং কৰা সামান্য এটি শব্দ পালেই কোন আহিছে বুলি চাবলৈ উধাতু খাই দুৱাৰ মুখলৈ লৰি গৈছিলোঁ। এনেতে এটি শব্দ কৰি দুৱাৰখন মেল খালে। গৈ চালোঁ, মোৰ ল'বা নহয়, তেওঁ। মই তেওঁক মৰম দেখুৱাই আদৰি আনিবলৈ হাত দুখনি আগ বঢ়াই দিলোঁ। তেওঁ পোনে পোনেই কাষ চাপি আহি মোক বুকুত সুমুৱাই লৈ এটি চুমা দিলে, এটি দীঘল হেঁপাহৰ চুমা।

"এনেতে এটি শব্দ। এটি মৃদু সাৱধানৰ অহা শব্দ, কাণত ঠিক পৰা-নপৰা। মই অইন কোনোবা আগন্তুকৰ সন্দেহত, ভয়তে উচাপ খাই উঠি বিস্মিত হৈ পাছলৈ ডিঙি মেলি চালোঁ। দেখিলোঁ, মোৰ ল'বা.....একেথৰে মোৰ পিনে চাই শেঁতা পৰি থিয় দি আছে। এটি নিষ্ঠুৰ উগল-মাগল লাগি পৰিল। মই আগ বঢ়াই আনো বুলি ব্যাকুলভাৱে তাৰ ফালে হাত মেলি গলোঁ, কিন্তু তাক আৰু তাত নেদেখিলোঁ। সি নিমিষতে কৰ'বাত অন্তৰ্দ্ধান হ'ল।

"আমি দুয়ো দুয়োৰো ফালে চাই নিশ্চল নিৰ্ব্বাক হৈ থিয় দি থাকিলোঁ,—তেওঁ আৰু মই। মুখবপৰা কাৰো এটি কথাও ফুটি নোলাল। মই অবশ হৈ চকি এখনত শুই পৰিলোঁ। বুকুত মোৰ এটা উদ্ধাম অস্পষ্ট অস্থিৰতাই আহি খুন্দা মাৰি ধৰিলে। মোৰ ইচ্ছা হ'ল নিশাৰ ঘোৰ আন্ধাৰত ওলাই গৈ, অদৃশ্য হৈ চিৰদিনৰ কাৰণে মিলি যাওঁ। অননুভূত কম্পনৰ আৰু শোকৰ বাষ্পত মোৰ কণ্ঠ কদ্ধ হৈ অহা যেন পালোঁ। এটি অঘটন দুৰ্ভাগ্যৰ চেতনাত

আৰু মাতৃ হৃদয়ত পৰা কালিমাৰ নিদাৰুণ এটি লাঞ্ছৰ যন্ত্ৰণাত মোৰ শৰীৰৰ আটাইবোৰ শিৰ ফিন্দ্‌ খাই ছিন্ন যোৱা যেন পাইছিলোঁ। অন্ধত্বৰ কৰিছিলোঁ হিয়া যেন চৌ-চিৰ হৈ ফাটি যাব খুজিছে।

"তেওঁ মোলৈ একে থৰে চাই আছিল, এটি পবিত্ৰ দৃষ্টিৰে। কিজানি মোৰ ল'বা হঠাতে ওলায়হি বুলি, মোৰ কায চাপিবলৈ বা মোৰ গাত হাত দিবলৈ সাহ কৰা নাছিল। তাৰ পিছত এই কথা কেষাৰ মোৰ কাণত পৰে, "মই যাওঁ। তাক অনুসৰণ কৰোঁগৈ আৰু পাৰিলে সকলো কথা বুজাই দিবলৈ চেষ্টা কৰিম! মুঠতে তাক লগ নাপালে আৰু সকলো কথা খুলি কবলৈ নাপালে"—

"আৰু এই বুলি কৈছেই তেওঁ উধাতু খাই লৰি গ'ল। মই বাট চাই থাকিলোঁ। কিছুমান খেলি-মেলি ভাবে আহি মোক জুমুৰি দি ধৰিলে। মই অস্থিৰ হৈ অপেক্ষা কৰিবলৈ ধৰিলোঁ, সামান্য শব্দ এটিতেই বুকু মোৰ বাবে বাবে চকি উঠিছিল। আনকি সাধাৰণ লেমব পোহৰ খিনিও মোৰ গাত তীব্ৰ জ্বালাময় যেন বোধ হৈছিল। এঘণ্টা গ'ল। দুঘণ্টা গ'ল। কিন্তু এজনো উভতি নাহিল। এটি অদ্ভুত ভয়ত মোৰ ভিত্তি পৰ্য্যন্ত বুকুৰপৰা শুকাই আহিবলৈ ধৰিলে। উঃ! সি কি নৰক যন্ত্ৰণা! ভগৱানে যেন হাজাৰ পাপীকো মুহূৰ্ত্তৰ কাৰণেও সেই শাস্তি নিদিয়ে। মাজ নিশা আহি চাৰুক এজনে মোক কাকত এডুখৰি আনি দিলে, তেওঁৰপৰা। কথা কেইটা আজিও মোৰ হৃদ্‌ মনত আছে "তোমাৰ ল'বা উভতি আহিছেনে? মই তাক বিচাৰি নাপালোঁ। মই বৰ্ত্তমান ইয়াতে। এতিয়া তোমাৰ তাৰে যাবলৈ মোৰ মন নাই।" পেন্সিলৰে সেই কাকতৰ ওপৰতেই মই লিখি পঠিয়ালোঁ, 'মোৰ ল'বা উলটি অহা নাই। আপুনি যেনে তেনেকৈ তাক বিচাৰি আনিব লাগিব।" মোৰ গোটেই নিশা চকৰ ওপৰতেই কাটি গ'ল, কোনো খবৰ হলে নাপালোঁ। মনে ধৰিলে, মই বলিয়াহে হৈছোঁ। ইচ্ছা হ'ল, চাৰিওফালে চিৎকাৰি লৰি দুৰোঁ। মাটিত বাগৰি দুৰোঁ। কিন্তু তথাপি অলপো নলৰিলোঁ, অলপো নচৰিলোঁ। অকল ঘণ্টাৰ পিছত ঘণ্টা অপেক্ষা কৰি বাটৰ ফালে চায়ে থাকিলোঁ। বহু চেষ্টা কৰিলোঁ, মোৰ মনৰ অৱস্থা উপলব্ধি কৰো বুলি, কিন্তু মন মোৰ একোপেয়ে বন্ধা নগ'ল। এনেতে হঠাতে মনত উদয় হ'ল, "বাক! সিহঁত দুয়োবো যদি ভেটা ভেটি হয়, জানোচা দুয়োবো কিবা অমঙ্গল ঘটে। জানোচা মোৰ ল'বাই মহুৰ্ত্তকে সকলো সংযম হেকৰাই পেলায়!" এই খিনিতে কল্পনা মোৰ অবশ হৈ আহিল, আৰু মই ভাবিব নোৱাৰিলোঁ।"

বৃদ্ধাই ইয়াতে অলপ জিৰণি লৈ আকৌ আৰম্ভ কৰিলে, "বোধ কৰোঁ আপুনি মোৰ সকলো কথা বুজি পোৱা নাই, কিজানি ময়ো আপোনাক সকলো কথা বুজাই কব পৰা নাই। বেছেবী মোৰ চাকৰণী ছোৱালীজনী,—তাই এইবোৰৰ একোবে ভু নাপাইছিল। তাই ভাবিছিল মই কিজানি বলিয়া হলোঁ। তাইক অলপ ইঙ্গিত দিওঁতেই তাই বুজি পালে আৰু ডাক্তৰক মাতিবলৈ লৰি গ'ল। মই তেতিয়া স্বাভাৱিক উত্তেজনাত অচেতন হৈ পৰি ৰলোঁ। বহুত দিন দুখাৰ পিছত মোৰ যেতিয়া চেতনা আহে, মই দেখিলোঁ মই মোৰ ঘৰৰ এই বিছনাতে শুই আছোঁ; আৰু তেওঁ মোৰ ওচৰত বহি আছে। কিন্তু তেওঁ অকলে। মই বলিয়াৰ দৰে চিঞৰি সুধিলোঁ "মোৰ ল'বা ক'ত? মোৰ ল'বা?"

"তেওঁ উত্তৰ দিলে' "যদি তুমি মোক বিশ্বাস কৰা, মোৰ সকলো চেষ্টা ব্যৰ্থ হৈছে, মই তাক বিচাৰি নাপালোঁ।" খণ্ড আৰু ঘণাত মোৰ মুৰত হঠাতে তেজ উঠি গ'ল—তিৰোতাক প্ৰায়ে এনেকুৱা অহৈতুকী খণ্ডে সদায় আক্ৰমণ কৰে। মই কৈ পেগালোঁ, "তেন্তে আপুনি এতিয়াই মোৰ চকুৰ আগৰপৰা অঁতৰ হ'ক। যি পৰ্য্যন্ত মোক মোৰ ল'বাক আনি দিব নোৱাৰে, সেই পৰ্য্যন্ত আপুনি যেন কেতিয়াও মোৰ কায নাচাবে।"

"তেওঁ সঁচাকৈয়ে নিঃশব্দে উঠি গুচি গ'ল। আৰু সিদিনাবেপৰা আজিলৈকে মই কাকো দেখা নাই, আজি এই দীৰ্ঘ কুবিটি বছৰে। আপুনি বোধ কৰোঁ মোৰ অৱস্থা এতিয়া কিছুদূৰ উপলব্ধি কৰিব পাৰিছে। বোধ কৰোঁ মোৰ এই কঠোৰ শাস্তি অকণমান বুজিব

পাৰিছে। এই অবিৰাম মাতৃবক্ষৰ নিদাৰুণ আলা,—এই ঘৃণিত অন্তহীন অপেক্ষা! অন্তহীন? নাই। কিজানি আজিয়েই সি অন্ত হবলৈ ওলাইছে। আজিয়েই মই মৰিবলৈ ওলাইছোঁ। আৰু আশা কৰোঁ দুজনৰ এজনকো নেদেখাকৈ আজিয়েই মৰিম।

"কিন্তু, এটি কথা আপোনাক কোৱা নাই। তেওঁ হলে আজি এই কুৰি বছৰে মোলৈ চিঠিপত্ৰ লিখি আছিল। আৰু সদায় অনুনয় বিনয় কৰি মোক এবাৰ চাবলৈ অনুমতি বিচাৰিছিল। কিন্তু মই এক মুহূৰ্তলৈকেও এদিনো সেই অনুমতি দিয়া নাছিলোঁ। কেলৈ জানে? মোৰ অন্তৰত এটা দাৰুণ ভয় আছিল, যে যদি তেওঁ অনুমতি পাই ইয়ালৈ আহে, কিজানি ঠিক সেই মুহূৰ্ততে মোৰ ল'ৰাও আহি আকৌ ওলাইহি।

"হায় প্ৰাণ! বুকুৰ প্ৰাণ! তই মৰিছ নে আছ মই এতিয়াও নাজানিলোঁ। কিজানি মই নাম-ধাম নজনা কোনোবা সাগৰৰ সিপাৰে তই এতিয়াও লুকাই আছ? তোৰ চাগে মনত মোৰ কথা এতিয়া সমূলিকে নপৰে? হায়! এবাৰ যদি সি জানিলেহেঁতেন! উঃ! নিজৰ পেটৰ সন্তানবোৰ ইমান নিৰ্দয় হব পাৰে! এবাৰ যদি সি বুজিলেহেঁতেন কি ভয়াবহ যন্ত্ৰণাত সি মোক পেলাই গৈছে, কি অতল শোকৰ সাগৰত সি মোক বুৰাই ৰাখিছে? এবাৰ যদি সি ভাবিলেহেঁতেন, কি নিৰ্মম শাস্তিত সি তাৰ জন্ম-দিওঁতা মাকক, সেই ভৰ যৌৱনৰপৰা আজি এই মৃত্যুৰ আগলৈকে তিলে তিলে কষ্ট দি জীৱনৰ সকলো সুখ নষ্ট কৰি গ'ল? উঃ! কি নিৰ্দয়! ভীষণ নিৰ্দয়, নহয়নে?"

এইখিনিতে অলপ স্তব্ধতা। তাৰ পিছত আকৌ বৃদ্ধাই আৰম্ভ কৰিলে, "আপুনি যেন এই সকলো কথা তাৰ আগত ভাঙি কয়। আপুনি প্ৰতিজ্ঞা কৰিব লাগিব, যদি আপুনি তাক পায়, এই সকলোবোৰ কথা তাক কব। মোৰ আৰু অলপ কব লগীয়া আছে। আপুনি যেন তাক প্ৰতিজ্ঞা কৰায়, যাতে ভবিষ্যতে সি নাৰীজাতিৰ প্ৰতি অলপ কম নিষ্ঠুৰ হবলৈ চেষ্টা কৰে। বুজাই কব, জগত এনেয়ে সিহঁতৰ প্ৰতি নিৰ্মম আৰু ঘোৰ অত্যাচাৰী! আৰু কব, তাৰ মাকৰ কঠোৰ শাস্তি আৰু প্ৰাণৰ যন্ত্ৰণাটোলৈ চাই, সি যেন এবাৰলৈ তাইক ক্ষমা কৰে।"

বৃদ্ধাৰ কথা এইখিনিতে অস্বাভাৱিক বকমে বন্ধ হৈ যায়। মই অলপ বিচলিত হৈ আসন এৰি থিয় দিছিলোঁ। কিন্তু আকৌ ক্ষীণ কণ্ঠেৰে কোৱা শুনিব পালোঁ, "আৰু শেষ অনুৰোধ, আপুনি যেন তাক কয়, মই আৰু কেতিয়াও তেওঁক একমুহূৰ্তৰ কাৰণেও চোৱা নাই।"

এটি দীৰ্ঘ স্তব্ধতা আৰু তন্দ্ৰাত বৃদ্ধা অভিভূত হৈ পৰিল। মই উৎকণ্ঠিত হৈ চাই থাকিলোঁ। তাৰ পিছত ক্ষীণ শুষ্ক এটি হুমুনিয়াহ।

"তেনেহলে আপুনি এতিয়া যাব পাৰে। মোৰ অনুৰোধ আপুনি এতিয়া ৰ'ক। কাৰণ মোৰ একান্ত ইচ্ছা, মই অকলে মৰোঁ; যিহেতু সিহঁতৰ দুজনৰ এজনো এতিয়া ইয়াত নাই।"

মই মন্ত্ৰচালিতৰ দৰে নিশব্দে ঘৰ এৰি আহিলোঁ। বৃদ্ধাৰ শোকত ইমান অভিভূত হৈ পৰিছিলোঁ, যে মোৰ চকুত পানী দেখি মোৰ গাড়ীৰ ড্ৰাইভাৰে বাৰে বাৰে আচৰিত হৈ উভতি চাইছিল। মই অকল মাথোঁ ভাবিছিলো, জগতত এনে নাটক দিনে নিশাই আমাৰ অজ্ঞাতে কত অভিনীত হব লাগিছে!

এই অভিজ্ঞতা মোৰ আজিৰপৰা ঠিক ছমাহ আগৰ। কিন্তু এই দীৰ্ঘ ছমাহেও বিচাৰি বিচাৰি বৃদ্ধাৰ সেই উত্তৰাধীকাৰী পুত্ৰৰ কোনো সন্ধান পোৱা নাই। আনে যিয়েই নক'ক মই হলে কওঁ সি বৰ নিৰ্দয়। *

* মোপাছাঁৰ এটি গল্পৰ ভাঁ লৈ—লিখক।

মহিলা জগত



মিছ দীনা কে কুকা—এথেতে বেৰিষ্টাৰী পাছ কৰিছে



মিছ সুৰভি সিংহ—বেঙ্গুন বিশ্ববিদ্যালয়ৰ পৰা আইন পাছ কৰা প্ৰথম বঙ্গালী মহিলা



মিছ ভিক্টৰিয়া বাটলিৱালা—এথেতেও শেষ আইন পৰীক্ষাত উত্তীৰ্ণ হৈছে

বিলাতত ভুমুকি

তৃতীয় অধ্যায়

এডেন

—শ্রীযুত চন্দ্রধৰ বৰুৱা সাহিত্যৰত্ন

বম্বেৰপৰা আৰব সাগৰ আৰম্ভ হৈছে। ১৮ তাৰিখে এক বজাতে বম্বে এৰিছোঁ; ২২ তাৰিখে পুৱালৈকে পানী আৰু আকাশত বাজে কেনিও একো দেখা নাই; মাজতে মাথোন দুদিন বহুত দূৰেদি ঘোৱা হুখন জাহাজ দেখিছিলোঁ। ২২ তাৰিখে পুৱাৰপৰা, সোঁ হাতে বহুত দূৰত ধূঁৱলী কুঁৱলী একো শাৰী পৰ্ব্বত দেখি পৈছিলোঁ; তাকো আৰেলি ভাগলৈ নেদেখা হলোঁগৈ। সাগৰৰ মাজপৰা দূৰত মাটি দেখিলে বৰ ভাল লাগে আৰু কাষ চাপিলে নামি যাবৰ মন যায়। সকলো মানুহৰে তেনে লাগে; কাৰণ স্থলচৰে স্থলত চৰিহে সুচল পায়।

আৰু এছোৱা পাৰ নেদেখা পানী গৈ, শেহত আৰেলি তিনি বজাত এডেন পালোঁগৈ। এডেন পাই বৰ নিৰাশ লাগিল। এই কেইদিন নেদেখা ওচৰ, ছাঁ পৰা, গছে গছনিয়ে সেউজীয়া বননিয়ে চকু জুৰোৱা ভূমি এচমকা চাৰলৈ বৰ হেঁপাহ লাগি পৈছিল। গৈ পালোঁ তৃণ শূন্য মৰুৰ মাজত শিল পৰ্ব্বতৰ ভীষণ শুকান দেশ।

সক নাৱেৰে পাৰলৈ উঠি, মোটৰ এখন ধৰি,ৰামত ঘুৰি-চাকি আহিলোঁগৈ। গোটেই এডেনখন ৯০০০ বৰ্গ মাইলৰ এখন ডাঙৰ ঠাই। ই আৰব দেশৰ ভিতৰত পৰিছে। ১৮৩৯ চনত ইয়াক বৃটীছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰা হয়। তেতিয়াবেপৰা, ই ৰাজকীয় কথাত বিলাতৰ উপনিবেশ (colonial) অফিচৰ, আৰু সাধাৰণ আইন সম্পৰ্কীয় কথাত ভাৰতৰ বম্বে গৱৰ্ণমেণ্টৰ অধীনে চলিছে। এই প্ৰৰদ্ধত, এডেন বোলোতে, এডেন প্ৰদেশৰ সাগৰৰ দাঁতিৰ এডেন বোলা সৰু নগৰ খনিৰ কথা কোৱা হৈছে। চাকৰি বা ব্যৱসায়ত লাগি ইয়াত ভাৰতৰো অনেক মানুহ আছেগৈ। এইবিলাক মানুহ কামে কাজে বৰ পাকৈত যেন অনুমান হয়। বিদেশত জীৱিকা অৰ্জ্জা মানুহ হেনো কিছু নিপুণ হয়েই।

সাগৰৰ পাৰতে কেইখন মান ভাল ভাল দোকান অৰু হোটেল আছে। তাৰে হুখন এখন ভাৰতীয় মানুহৰ। এখন ভাল ওখ খাপৰ পাচী দোকান দেখিলোঁ। তাৰ কৰ্ম্মচাৰীসকলৰ সৌজন্য দেখি, বৰ সন্তোষ লাগিল। এই এমুঠি মানুহৰ পাচী জাতিটোৱে বেহা-বেপাৰত ভাৰতৰ গৌৰৱ বাঢিছে। পাচী জাতিৰ স্থিৰবুদ্ধি আৰু ধীৰৰভাৱ লাভ কৰিবলৈ ভাৰতৰ সকলো লোকে যত্ন কৰা উচিত।

মোটৰ গাড়ীৰে পৰ্ব্বতীয়া বাটেদি উঠি নামি গৈ গৈ নগৰ সোমালোঁ। নগৰখন নিচেই সৰু আৰু ঘৰবোৰ থেপাথেপি। তাত খেৰৰ ঘৰ নেদেখিলোঁ, সকলো-বিলাকেই পকা ঘৰ। ঠাইখন শিলনি, কেউফালে শিল পৰ্ব্বতৰ মাজত, এডুখৰি বহল সমতল শিলনি পাই, তাতে নগৰখন পাতিছে। বন্দৰবপৰা ইয়াঁলৈ, কোনো ঠাইত শিলৰ পৰ্ব্বত কাটি বা কোনো ঠাইত তাৰ ভিতৰে সুৰঙ্গ কৰি বাট উলিয়াইছে। বাট-পথবোৰ বৰ ভাল।

এডেনৰ অধিকাংশ মানুহ আৰবী। তেওঁলোকৰ স্থল পঢ়াশালি, সাজ-পাৰ, কথা-বাৰ্ত্তা, ৰীতি-নীতি সকলো আৰবী। কিছুমান অতি ক'লা বৰণৰ মানুহো দেখিলোঁ। প্ৰায় মানুহেই দুই চাৰিটা ইংৰাজী শব্দ জানে। শিহতে ভালকৈ ইংৰাজী নজনাত, আৰবী নজনা মানুহৰ তাত কিছু আহকাল হয়। মই পিছৰ বাৰ যাওঁতেও এডেনত নামিছিলোঁ। তেতিয়া মোটৰ ড্ৰাইভাৰটো আৰবী আছিল। ইংৰাজী জানানে বুলি সুধিলত সি "ইয়েচ্" (yes) বুলিলে। নগৰলৈ গাড়ী চলাবলৈ আদেশ কৰাতো, সি "ইয়েচ্" বুলি চলাই দিলে। বাটত দুই চাৰি কথা সুধি প্ৰমাণ পালোঁ, সি "ইয়েচ"ৰ বাজে আন ইংৰাজী কথা এটাও নাজানে; সেই দেখি, ঘেৰে বিহকে সোধক লাগিলে, সি মুঠেই অকল "ইয়েচ্" বোলে। প্ৰধান প্ৰধান হোটেল আৰু দোকান কেইখনত ইংৰাজী ভাষা বুজে। এডেনত ভাৰতৰ টকা পইছাৰে প্ৰচলন আছে।

এডেনত এটা চাব লগীয়া বস্তু আছে। আমাৰ মানুহে "শিলত পুখুৰী খনা" বুলি যোজোনাহে দিয়ে। তাত কিন্তু সঁচাকৈয়ে শিলৰ পৰ্ব্বতৰ ওপৰতে শিল কাটি সাতোটা ডাঙৰ পুখুৰী খনা আছে। দেখোঁতেই বুজা যায় যে পুখুৰী কেইটা বৰ কৌশলেৰে আৰু বহুত মানুহৰ নহৰ খাটনিৰে নিৰ্ম্মাণ কৰা হৈছিল। আৰব দেশত সদায় পানীৰ আকাল। সেই দেখি, প্ৰাচীন কালৰ পাৰজু বন্ধা এগৰাকীয়ে মানুহৰ ব্যৱহাৰৰ অৰ্থে, বৰষুণৰ পানীকে ধৰৰ কাৰণে ৬০০ খৃষ্টাব্দত আৰু কোনো কোনোৰ মতেৰে তাৰো পূৰ্ব্বে, এই পুখুৰী কেইটা খনাইছিল। কেউফালৰ পৰ্ব্বতৰ পৰা ইয়ালৈ পানী বৈ আহিবলৈ শিলৰ ওপৰে লোৱা কাট খোৱা আছে। পুখুৰী কেইটাত মুঠতে ২০,০০০,০০০ গেলন পানী ধৰে। কিন্তু, আমি ইয়াত সিমান পানী নেদেখিলোঁ কাৰণ এডেনত হেনো গোটেই বছৰত তিনি ইঞ্চিৰ সৰহ বৰষুণ নহয়। কোনোবা কালৰে পৰা, এই পুখুৰী কেইটা জাবৰেৰে পোতৰেগ আছিল, আৰু ইয়াৰ কোনেও একো চিন চাব ধৰিব নোৱাৰিছিল। পিছত এগৰাকী ইংৰাজী কৰ্ম্মচাৰীয়েহে, ইয়াক বিচাৰি উলিহে, অঁতোৱাই, আৰো উদ্ধাৰ কৰিছে।

নগৰৰ পৰা দূৰত, এখন গছ-গছনিৰ বাগিছা আছে। সিও সেই তৃণহীন দেশত, এটা চাবলগীয়া বস্তু। আমাৰ কিন্তু তাক চোৱা নহ'ল। বাটো দেখিলোঁ ১৩ মাইল দূৰ, আৰু ড্ৰাইভাৰটোৱেও একৰ পৰা দহলৈকে অৰু কেইটাৰ বাজে আৰু কোনো এটাও ইংৰাজী শব্দ নাজানে। মোটৰৰ কেৰেয়াৰ দৰ-ভাও কৰিবলৈ, তাতকৈ সৰহ জানিবৰ তাৰ প্ৰয়োজনো নাই। গতিকে কিবা কওঁতে কিবা কৰি, কেনেবাকৈ জাহাজ হেকৰাই বিপান্নত পেলোৱাৰ ভয়ত, এছোৱা বাট গৈও, উভতি আহিলোঁ। জাহাজ যে নিৰ্দ্ধাৰিত সময়ত মেলি দিব, ই থিৰাং কথা।

য়ুৰোপীয় মানুহৰ কোনো কথাতে নিৰ্দ্ধাৰিত সময় পিছলৈ হোহোঁকোৱাৰ নাই। আমাৰ এই ওপৰ অভিকে কিকহ বুলিব লাগে। আমি নিজেও সময় মতে নচলোঁ, আৰু লোকবো সময়ৰ মোল হুমুৱোঁ। আমি ভাবোঁহক বোলো আমাৰ দৰেই আন মানুহবো কাৰো কোনো কাম নাই। নিজক নালাগিলে লোকৰ কাৰণে হলেও, সময়ৰ মোল বুজাটো যুগুত কথা।

লৰব বেগত চাব পৰা বস্তু এডেনত এই পুখুৰী কেইটাৰ বাজে বিশেষ একো নাই। বহুত ওখত, পৰ্ব্বতৰ ওপৰত কিবা-কিবি থকা দেখিছিলোঁ। কিন্তু তালৈ যাবলৈ আমাৰ দৰে উৰণীয়া মানুহৰ বেলিয়ে নোজোৰে। দেশ চাবলৈ হলে, এনে বিলাক ঠাইত দুই চাৰি দিন থাকি যাবলৈ পাব লাগে। আমাৰ পক্ষে সি অসম্ভৱ; কাৰণ থাকিলেই ৭ দিনৰ মুৰতহে আকৌ জাহাজ পোৱা যায়। কিন্তু, ওপৰে চেংচেঙীয়া প্ৰকোপিত বদ, তলে নিৰ্জ্জলা নিষ্ফলা তপত শিলাভূমি। আমাৰ দৰে মানুহৰ পক্ষে, সেই জুইৰ খোলাত, মাত দুমুজা মানুহৰ মাজত, থাকো বুলি ৭ দিনলৈ থকাটো টান কথা হব।

যথা সময়ত জাহাজ পালোঁহি। মোটৰখনৰ ১০্ টকা কপ কেৰেয়া ললে। পিছতহে গম ধৰিছোঁ, উচিততকৈ সৰহ ধন নিলে। বিলাতত হলে তেনে নকৰে।

গধূলি ৭ বজাত জাহাজে এডেন বন্দৰ এৰি, এডেন সাগৰৰ পানী ফুফাল কৰি, লোহিত সাগৰলৈ চাপলি ধৰিলে। এডেনতে আৰব সাগৰৰ অন্ত পৰিছে। তাৰ সিফালৰ ছোৱাক আৰব সাগৰ নোবোলে। এডেনৰ পৰা পশ্চিমলৈ যাওঁতে, দিনৌ পুৱা ঘড়ীবোৰ আধা ঘণ্টাকৈ হোহোঁকাই লব লাগে। সেই দৰেই, পুবলৈ আহোঁতেও, আধা ঘণ্টাকৈ আগবঢ়াই দিয়া হয়। এডেনৰ শিপাৰে ভাৰতীয় ধন-বিত নচলে। সি ছোৱাত বিলাতী ধনৰহে প্ৰচলন হয়

বিবিধ

ভাৰতৰ অনুন্নত শ্ৰেণীৰ অধিকাৰ—

মহাত্মা গান্ধীয়ে অনুন্নত সম্প্ৰদায়ৰ সুকীয়া নিৰ্ব্বাচনৰ বিৰুদ্ধে আৰু সেইসকলৰ অৱস্থাৰ উন্নতি সাধিবলৈ প্ৰায়োপবেশন আৰম্ভ কৰিছিল। ভাৰতৰ প্ৰায় সকলো ঠাইৰে মন্দিৰবিলাকতে অনুন্নত সম্প্ৰদায়ক সোমাবলৈ অধিকাৰ দিয়া হৈছে। এই নতুন আৰু উদাৰ ভাব কোনো বিশেষ ঠাইতে সীমাবদ্ধ হৈ থকা নাই। আৰু ভাৰতৰ হিন্দু নৃপতিসকলেও এই উদাৰ ভাবলৈ সহানুভূতি দেখুৱাব লাগিছে। এতিয়া অমানুষিক আৰু নিষ্ঠুৰ অস্পৃশ্যতা সোনকালে আঁতৰিব বুলি আশা কৰিব পৰা হৈছে। সিদিনা ত্ৰিপুৰাৰ মহাৰজাই তেওঁৰ ৰাজ্যৰ সকলো মন্দিৰতে অস্পৃশ্য সকলৰো অধিকাৰ ঘোষণা কৰিছে।

পৃথিবীৰ প্ৰাচীনতম নৰ-কঙ্কাল—

'ডেইলি টেলিগ্ৰাফ' কাকতৰ পিকিনৰ সংবাদদাতাৰ বাতৰিত প্ৰকাশ যে পিকিন নগৰৰ ওচৰত এখন পৰ্ব্বতৰ গহ্বৰত এটা নৰ-কঙ্কাল পোৱা গৈছে। কানাডাদেশীয় বৈজ্ঞানিক অধ্যাপক ডেভিডসন ব্লেকে কয় যে এতিয়ালৈ পৃথিবীত যিমানবিলাক পুৰণি কঙ্কাল ওলাইছে, তাৰ ভিতৰত এইটোৱেই সকলোতকৈ প্ৰাচীন।

চিকিৎসা বিজ্ঞান চৰ্চ্চাত প্ৰাণী হত্যা—

যোৱা বছৰত কেৱল মাথোন বিলাততে ৪ লাখ ৫০ হাজাৰ ৮শ ২২টি প্ৰাণী চিকিৎসা বিজ্ঞানৰ পৰীক্ষা চাওতে নিহত হৈছে। ইয়াৰ আগৰ বছৰত ৪ লাখ ২ হাজাৰ ১শ ৪১টি প্ৰাণী এই বিজ্ঞানৰ গবেষণা কাৰ্য্যত প্ৰাণ বিসৰ্জ্জন দিব লগীয়া হৈছিল।

অনুভূতি লোপ কৰিবলৈ ব্যৱহৃত দৰৱৰ গুণ পৰীক্ষাৰ নিমিত্তে কৰা অস্ত্ৰোপচাৰত ১৮ হাজাৰ ৩শ ৩টি জীৱন নাশ হৈছে। আৰু ইয়াৰ বাহিৰেও কেন্সাৰ প্ৰভৃতি বহুত টান বেমাৰৰ দৰৱ পৰীক্ষাৰ ফলত প্ৰতি বছৰে বহুত প্ৰাণী বধ কৰি মানুহৰ কৰিবলৈ চেষ্টা কৰা হয়।

হিংসামূলক অপৰাধৰ দণ্ডবিধানৰ ব্যৱস্থা—

বঙ্গদেশৰ পাছতে বিহাৰ উৰিষ্যাৰ গৱৰ্ণমেণ্টে হিংসমূলক অপৰাধত দণ্ডিত দল এটাক আন্দামানলৈ পঠাবৰ দিহা কৰিছে বুলি শুনা গৈছে। বিহাৰ প্ৰদেশৰ বেলেগ বেলেগ জেলখানাৰ কয়েদীবিলাকৰ বৰ্ণনামূলক বিবৰণ এটি সংগ্ৰহ কৰা হব লাগিছে। হৈ উঠিলেই সেই বিলাকক সোনকালৈ পঠোৱা হব বুলি শুনা হৈছে।

ৰুছিয়াৰ সামৰিক শক্তি আৰু ব্যৱস্থা—

"নিউয়ৰ্ক হেৰল্ড ট্ৰিবিউন" নামৰ বাতৰি কাকতত প্ৰকাশ, চোভিয়েট গণতন্ত্ৰৰ তলত প্ৰত্যেক বয়সীয়াল নাগৰিকে যুদ্ধ বিদ্যাৰ কিবা নহয় কিবা জানে। সোতৰ বছৰতকৈ কম বয়সৰ প্ৰায় ষাঠি লাখ ছাতৰে স্কুলত পঢ়াৰ সময়তে যুদ্ধ বিদ্যা শিকে। জাতীয় সংৰক্ষণী সমিতি বিলাকৰ দ্বাৰা পৰিচালিত ষাঠি হাজাৰ যুদ্ধ বিদ্যাৰ কেন্দ্ৰত বনুৱা, কেৰাণী আৰু ওখ বিষয় সকলক সামৰিক শিক্ষা দিয়া হয়। এই সমিতি বিলাক সংখ্যা প্ৰায় বাৰ লাখ।

আমেৰিকাত জাপানী জোতা—

ৱাশ্বিংটনৰ এটা বাতৰিত প্ৰকাশ যে আমেৰিকাত জাপানী টেনিচ আৰু ৰবাৰৰ জোতাৰ আমদানী অসম্ভৱ ৰকমে বাঢ়ি যাব লাগিছে। সেইবাবে আমেৰিকাৰ ৰবাৰ ব্যৱসায়ী সকলৰ বহুত প্ৰতিনিধি গোট খাই ইয়াৰ প্ৰতিকাৰৰ অৰ্থে গভৰ্ণমেণ্টৰ ওচৰত আবেদন জনাইছে।

প্ৰতিনিধি সকলৰ মতে যদি অহা জাৰকালিলৈ জাপানী জোতাৰ আমদানী এনে ভাবে চলে তেনেহলে প্ৰায় ১৫ হাজাৰ আমেৰিকান শ্ৰমিক নিবনুৱা হৈ পৰিব। আমেৰিকাৰ ব্যৱসায়ী সকলৰ বিশ্বাস যে জাপানী বিলাকে যি বেচত তেওঁলোকৰ নিজ দেশত জোতা বেচে আমেৰিকাৰ বজাৰত তাতকৈও কম দামত তেওঁলোকে সেইবিলাক জোতা বেচিব লাগিছে। আকৌ কেতিয়াবা কেতিয়াবা খৰচতকৈও কম দৰত বেচা হব লাগিছে বোলে। এনেকৈ যোৱা ছমাহৰ ভিতৰতে জাপানী জোতাৰ আমদানী ৬ গুণ বাঢ়ি গৈছে। আৰু এই সময়ৰ ভিতৰত তেৰ লাখ কুৰি হাজাৰ জোৰ জোতা বিক্ৰি হৈ গৈছে। প্ৰতি জোৰ মাথোন ॥/০ অনাতে দিয়া হৈছে।

সম্পাদকীয়

বছৰ বিদায়

এই সংখ্যাৰ লগতে আমাৰ আলোচনীৰ তৃতীয় বছৰ পূৰ্ণ হ'ল। আজি তিনি বছৰে আমি আমাৰ দায়িত্ব সাধনত কিমান যোগ্যতা প্ৰকাশ কৰিছোঁ, তাৰ বিচাৰৰ ভাৰ ৰাইজৰ ওপৰত। কেৱল আমি এইখিনিকে কব পাৰিছোঁ যে নানা ত্ৰুটী-বিচ্যুতিৰ মাজতো যদি সামান্য কিবাও কৰিবলৈ সক্ষম হৈছোঁ, সি মাথোন সদাশয় অসমীয়া ৰাইজৰ হৃদয় সহানুভূতিৰ গুণেহে সম্ভৱ হৈছে। দেশৰ এই [illegible] আৰ্থিক দুৰ্দ্দশাৰ দিনতো যে আমি সমাজৰ সহানুভূতিৰপৰা বঞ্চিত হোৱা নাই, তাৰ বাবে আমাৰ গ্ৰাহিকা আৰু পাঠক-পাঠিকা আদি সকলো পৃষ্ঠপোষকে ধন্যবাদ দিছোঁ, আৰু নতুন বছৰৰ কাৰ্য্যাৰম্ভৰ লগে [illegible] পূৰ্ব্বতকৈও অধিকতৰ সাহায্য লাভ কৰিম বুলি আশা [illegible]ছোঁ।

নৰনাৰায়ণৰ জয়

তাহা[illegible] মহামুনি দধীচিয়ে নিজৰ অস্থি দান কৰি অসুৰবিনা[illegible]ৰ্থে দেৱৰাজ ইন্দ্ৰৰ বজ্ৰ নিৰ্ম্মাণ কৰাইছিল। আজি এই[illegible]ণ অৱনতিৰ দিনতো যে ভাৰতে সেই মহাত্যাগৰ [illegible] পাহৰা নাই, হিন্দুসমাজৰ ঘোৰ কলঙ্কস্বৰূপ [illegible]া নিবাৰণৰ উদ্দেশ্য মহাত্মাৰ হিমালয়-সদৃশ স্থিৰ সং[illegible]ই কথা জগতক পুনৰায় সোঁৱৰাই দিলে। আজি [illegible] অৰ্দ্ধ শতাব্দীকাল বিয়পি এই কলঙ্ক মোচন কৰিবৰ [illegible] হাজাৰ জন-নায়কৰ প্ৰাণপাত চেষ্টাতো যি কা[illegible] হোৱা নাছিল, কুৰি শতিকাৰ শ্ৰেষ্ঠতম পুৰুষ [illegible] অঙ্গুলি-সঙ্কেতত সি সিদ্ধ হ'ল। ত্যাগৰ [illegible]ত্তম আদৰ্শ 'অৰ্দ্ধনগ্ন ফকীৰ' মহাত্মাৰ প্ৰা[illegible]সঙ্কল্পত কেৱল পয়ত্ৰিছ কোটী ভাৰতবাসী নহয়, কে[illegible]দী পাশ্চাত্য সমাজ নহয়, সমগ্ৰ জগত বিচলিত হ[illegible]পীয় মহাসমৰে পাশ্চাত্যত যি চাঞ্চল্যৰ সৃষ্টি কৰিছিল, ততোধিক চাঞ্চল্যই ৰক্ষণশীল ভাৰতীয় সমাজক বিক্ষুব্ধ কৰি তুলিলে। যিসকলে তথাকথিত অনুন্নতসকলক লগত লৈ থোৱা মেলা কৰাৰ কথাকে নকওঁ, তেওঁলোকৰ শৰীৰৰ ছাঁটোকে পৰ্য্যন্ত গছকিলেও পুনৰায় স্নানাহ্নিক কৰিছে 'শুদ্ধ' হৈছিল, আজি সেইসকলেই সমাজৰ পদদলিত সেই অনুন্নত সম্প্ৰদায়ৰ লগত পানাহাৰ কৰিছে। যাৰবেদাৰ আমগছৰ তলত বহি মহাত্মাই যেতিয়া প্ৰতিজ্ঞা কৰিলে, হিন্দু সমাজৰ এই অস্পৃশ্যতাৰূপী কলঙ্ক দূৰ নহলে তেওঁ প্ৰাণপাত কৰিব, তেতিয়া চকুৰ পলকতে দেশ জুৰি হাহাকাৰ উঠিল, ভাৰত বাসীয়ে নতুন চৈতন্য লাভ কৰিলে; সদিয়াৰপৰা পঞ্জাবলৈ হিমালয়ৰ পৰা কুমাৰিকালৈ হাজাৰ হাজাৰ হিন্দু মন্দিৰ অস্পৃশ্য, অনুন্নতসকলৰ বাবে মুক্ত হ'ল,—মন্দিৰৰ অধিষ্ঠাত্ৰী দেৱতাসকলেও এই নিচলা সন্তানৰ পূজা সেৱা পাইহে সন্তোষ পালে—লগে লগে হিন্দু সমাজৰ অন্তৰৰ সিংহ দুৱাৰো চিৰদিনলৈ মেল খালে। যিসকল ক্ষীণদৰ্শীয়ে ঘোষণা কৰি কৈছিল, মহাত্মাৰ এই ৰাজনৈতিক 'গলাবাজী' ভাৰতবাসীয়ে কেতিয়াও শুনিবলৈ মান্তি নহয়, আজি সেইসকল অপূৰ্ব্ব বিস্ময়ত নিস্তব্ধ, নিৰ্ব্বাক। জগতে বুজিলে, ভাৰতবাসীয়ে মহাত্মাক কেনে চকুৰে চায়, তেওঁৰ মাহাত্ম্য ক'ত, আৰু তেওঁৰ মহাত্মা নামৰ সাৰ্থকতা কি। মহাত্মাই আজি যি মনুষ্যৰ অসাধ্যকো সাধন কৰিলে, তাৰ বাবে তেওঁ কেৱল ভাৰতৰ নহয়, জগতৰ পূজা পাইছে! নৰনাৰায়ণৰ সেৱাৰ উদ্দেশে প্ৰাণপাতৰ সঙ্কল্পৰ দ্বাৰা তেওঁ ভাৰতীয় সমাজক যি সুদৃঢ় ভেটিৰ ওপৰত প্ৰতিষ্ঠা কৰিলে, জীৱনত আন কাম নকৰি মহাত্মাই কেৱল এই কামৰ দ্বাৰাই জগতৰ মহাত্মা হব পাৰিলেহেঁতেন! জগতৰ পূজ্যতম এই মহাপুৰুষক আজি এই সুযোগতে আমাৰ অন্তৰৰ অভিনন্দন জ্ঞাপন কৰিছোঁ।

অসম গবৰ্ণৰৰ বক্তৃতা

আমাৰ গবৰ্ণৰ চাৰ মাইকেল কীনে অসমৰ শাসন ভাৰ গ্ৰহণ কৰাৰেপৰা পোনপ্ৰথমে যোৱা ১২ চেপ্টেম্বৰ তাৰিখে অসম কাউন্সিল উদ্বোধন কৰে। এই বক্তৃতা-প্ৰসঙ্গত গবৰ্ণৰ বাহাদুৰে কেইটিমান বিশেষ আৱশ্যকীয় কথা কৈছে। ১৯২৯ চনৰপৰা অসম গবৰ্ণমেণ্টৰ আৰ্থিক অৱস্থা আলোচনা কৰি তেওঁ কয় যে তিনি বছৰ পূৰ্ব্বে ৰাজকীয় ভৰালত যি ৰাহি টকা আছিল, সিতো লোপ পালেই, তদুপৰি যোৱা বছৰৰপৰা ক্ৰমান্বয়ে ঘাটি পৰিব লাগিছে, আৰু এই বছৰৰ শেষত অৰ্থাৎ মাৰ্চ্চ মাহলৈকে প্ৰায় ৩৭ লাখ টকা ঘাটি পৰিব বুলি অনুমান কৰিব পাৰি। গবৰ্ণৰ বাহাদুৰে অতি সঁচা কথাকে কৈছে যে অসমৰ আৰ্থিক অৱস্থা অন্যান্য প্ৰদেশৰ দৰে স্বচ্ছল নহয়, আৰু বেছি ৰাজহ আদায় হোৱা প্ৰদেশবোৰত এই ঘাটি সামান্য বিবেচিত হলেও, অসমৰ পক্ষে ই বৰ আতঙ্কৰ কথা।

আমি আজি নহয়, বহুদিন পূৰ্ব্বেই অসম গবৰ্ণমেণ্টৰ এই আৰ্থিক সমস্যাৰ জটিলতা সম্যক উপলব্ধি কৰিছিলোঁ, আৰু যোৱা ফাগুন সংখ্যা 'আৱাহন'ত বজেট আলোচনা প্ৰসঙ্গত সেই বিষয়ে আমাৰ মনৰ ভাৱ ব্যক্ত কৰিছিলোঁ। আমি তেতিয়াই বিশদভাৱে দেখুৱাই দিছিলোঁ যে অসমৰ ভবিষ্যত বৰ অন্ধকাৰপূৰ্ণ,—অন্ততঃ গবৰ্ণমেণ্টৰ আৰ্থিক অৱস্থাৰ ফালৰপৰা। কাৰণ ১৯৩০-৩১ চনত আয়তকৈ ১৪৮০০০০৲ টকা আৰু ১৯৩১-৩২ চনত প্ৰায় ১৮ লাখ টকা বেছি খৰচ হয়। এইবাৰ বছৰৰ শেষত আচলতে কিমান ঘাটি পৰে, তাক এতিয়াই সঠিককৈ কোৱা টান—আনুমানিক হিচাপত প্ৰায় ৩৭ লাখ, আয়তকৈ বেছি খৰচ হব। গতিকে এই হিচাপেৰে যোৱা এই তিনি বছৰতে প্ৰায় ৬৯ লাখ টকাৰ ধাৰৰ বোজা অসমীয়াৰ ঘাৰত পৰিছে। ইফালে যোৱা মাৰ্চ্চত অৰ্থ-সচিবে কোৱা মতে ভাৰত গবৰ্ণমেণ্টৰ ওচৰত অসমৰ ৮৮৪৪০০০০৲ টকা ধাৰ আছে আৰু তাৰ উপৰিও শ্বিলং-জয়ন্তীয়াপুৰ ৰোডৰ কাম সমাধা কৰিবলৈ প্ৰায় ৫২০০০০৲ টকা ধাৰ লোৱা হৈছে। মাৰ্চ্চত বজেট আলোচনাৰ সময়ত অৱশ্যে অৰ্থ-সচিব ডাঙৰীয়াই কৈছিল যে ভাৰত গবৰ্ণমেণ্টৰ ওচৰত ইমানখিনি ধাৰ থাকিলেও তাৰ কাৰণে বিশেষ ভয় পোৱাৰ কাৰণ নাই; কাৰণ তেওঁ হিচাপ কৰি দেখুৱাইছিল যে বাকী খাজনা আৰু খেতিয়কে চৰকাৰৰপৰা লোৱা ধাৰ মিলি ৰাইজৰ ওচৰত গবৰ্ণমেণ্টৰ প্ৰায় ৮৯৩৩০০০৲ টকা পাবলৈ বাকী আছে। এই বাকী টকাৰ এইবাৰ কিমানখিনি আদায় হ'ল, তাৰ বিতং বিবৰণ আমি এতিয়াও পোৱা নাই। কিন্তু সিদিনা চৰকাৰী হিচাপ-পৰীক্ষক চাৰ আৰ্ণেষ্ট বাৰ্ডনে প্ৰকাশ কৰা মন্তব্যৰপৰা এইখিনি বুজিব পাৰি যে এই বছৰৰ আদায় হব লগীয়া ৰাজহৰ ভিতৰতো ৪৫ লাখ টকা বাকী পৰিছে।

আমাৰ ৰাজহ শোহে কিহে ?

আজি এবছৰ আগেয়ে আমাৰ ভূতপূৰ্ব্ব গবৰ্ণৰ চাৰ লৰী হেমণ্ডে অসম কাউন্সিলত কৈছিল যে অসমৰ মাটিৰ ৰাজহৰপৰা পোৱা টকাৰ তিনিভাগৰ দুভাগ চৰকাৰী চাকৰিয়ালসকলৰ দৰ্ম্মহাতে খৰচ হয়। দ্বিতীয়তঃ মাৰ্চ্চৰ কাউন্সিল অধিবেশনত ৰায় বাহাদুৰ শ্ৰীযুত নীলাম্বৰ দত্ত ডাঙৰীয়াই কোৱাৰ দৰে অসমৰ বগা হাতী শ্ৰীহট্ট জিলাখন অসমৰ আৰ্থিক অনাটনৰ ঘাই কাৰণ হৈ পৰিছে। চৰকাৰৰ বিবৃতিৰপৰাই প্ৰকাশ, যোৱা তিনি বছৰে শ্ৰীহট্ট জিলাৰ বাবে, তাৰ আয়তকৈ প্ৰায় ৩৬ লাখ টকা বেছিকৈ খৰচ হৈছে। শ্ৰীহট্টৰ অধিকাংশ ঠাই চিৰস্থায়ী বন্দোৱস্তৰ তলত—গতিকে তাৰ আয় অসমৰ অন্যান্য জিলাতকৈ আনুপাতিক হিচাপে কম, কিন্তু খৰচৰ মাত্ৰা আন সকলো জিলাতকৈ বেছি। আকৌ যিখিনি আয়, তাৰো আদায় হয় অতি কম। উদাহৰণ স্বৰূপে কব পাৰি যে যোৱা বছৰৰ বাকী ৩১ লাখ টকাৰ মুঠে ৭ লাখহে আদায় হৈছে। এইবাৰ কি হৈছে, কি নহৈছে, তাৰ সঠিক বিবৰণী বাহিৰ হলেহে বুজা যাব। তৃতীয়তঃ উত্তৰ-পূব সীমান্ত প্ৰদেশত ভাৰত গবৰ্ণমেণ্টে সৈন্য ৰখাৰ বাবে যিখিনি খৰচ পৰে, তাকো বহন কৰিব লাগে অসম গবৰ্ণমেণ্টে। চতুৰ্থতে পৰ্ব্বতীয়া জিলা কেইখন বৰ্ত্তমান শাসন সংস্কাৰৰ বাহিৰত হলেও, অসমৰ ৰাজহেৰেই সেই জিলাবোৰৰ কৰ্ম্মচাৰী-

সকলক পোহ-পাল দি থাকিব লাগে। শেষত, ইনকম টেক্স, পেট্ৰোল টেক্স আদিৰপৰা অসমত ভাৰত গবৰ্ণমেণ্টৰ যি আয় হয়, তাৰ সামান্য ভাগ এটিও অসমৰ ভাগত নপৰে। সংক্ষেপতে এইবোৰেই অসম গবৰ্ণমেণ্টৰ আৰ্থিক অনাটনৰ কাৰণ।

প্ৰতিকাৰৰ উপায়

গবৰ্ণমেণ্টে অৱশ্যে যে এই অনাটনৰ প্ৰতিকাৰৰ দিহা কৰিবলৈ চেষ্টা কৰা নাছিল, বা নাই, এনে কথা কোনোৱে কব নোৱাৰে। অ'ৰপৰা পাইটো, ত'ৰপৰা পইছাটো ৰাহি কৰিও, উদং ভৰালত কিছু থবলৈ চেষ্টা কৰিছিল আৰু বিশেষকৈ ব্যয়সঙ্কোচ কমিটিৰ পৰামৰ্শ অনুসৰি কাম কৰি প্ৰায় ৫৭ লাখ টকা খৰচ কমাইছে। কিন্তু এনেবোৰ সৰুসুৰা প্ৰতিকাৰৰ ব্যৱস্থাৰ দ্বাৰা যে বিশেষ লাভ নহয়, এই কথা আমি আগেয়েই কৈছিলোঁ, আৰু বৰ্ত্তমানে যি ঘাটি পৰিব বুলি অনুমান কৰা হৈছে, এয়েই আমাৰ কথাৰ সাৰবত্তা প্ৰমাণ কৰিছে। আমি যোৱা ফাগুন সংখ্যা 'আৱাহন'ৰ ৬১২ পৃষ্ঠাত এইদৰে কৈছিলোঁ,

"আয় চাই ব্যয় কৰাটোহে লক্ষ্মীমন্তৰ লক্ষণ। এই কথা সকলোৱে স্বীকাৰ কৰে যে ১৯১৯ চনৰ শাসনসংস্কাৰে ভাৰতত এটি মুৰ-গধুৰ শাসন ব্যৱস্থাৰ প্ৰবৰ্ত্তন কৰিছে। প্ৰত্যেক প্ৰদেশতে কিছুমান সৰহীয়া দৰ্ম্মহা খোৱা চাকৰিয়ালক সমূলি অনাৱশ্যকৰূপে ৰাখি থোৱা হৈছে। এনেকি "ষ্টেচমেনৰ" দৰে চৰকাৰী নীতিসমৰ্থক কাকতেও আজি কেম হেমান আগতে এই কথা স্বীকাৰ কৰিছিল যে অনাৱশ্যকৰূপে বঙ্গদেশৰ বিভাগীয় কমিশ্যনাৰবিলাকক ৰাখি চৰকাৰী খৰচৰ পৰিমাণ বঢ়োৱা হৈছে। অসমতো সম্পূৰ্ণ অদৰকাৰী কমিশ্যনাৰ দুজন ৰাখি বছৰি প্ৰায় ডেৰলাখ টকা অতিৰিক্তকৈ বঢ়োৱা হৈছে বুলিয়েই সিদিনা কাউন্সিলত শ্ৰীযুত সনৎকুমাৰ ৰায় চৌধুৰী ডাঙৰীয়াই প্ৰস্তাৱ কৰিছিল যে এই পদ দুটা উঠাই দিয়া হ'ক। যদিও সে প্ৰস্তাৱ গৃহীত নহ'ল, আমি তাৰ আৱশ্যকতা বেছিকৈ উপলব্ধি কৰিছোঁ। সেই প্ৰস্তাৱৰ লগতে পশুবিভাগ কৃষিবিভাগৰ লগ লগাই দিবলৈ যি প্ৰস্তাৱ কৰা হৈছিল সি অতি যুক্তযুক্ত আছিল। অসমৰ পশু-বিভাগত কিমান সৰহ দৰ্ম্মহাৰ চাকৰিয়ালক পুহি থোৱা হৈছে মাথোঁ তেওঁলোকে নিজে পোহ গৈয়েই সন্তুষ্ট; মানুহে কেনেকৈ পশু পুহিব লাগে, এপিনে এই বিভাগে কোনো লক্ষ্য নকৰে। এই বিভাগ কৃষিবিভাগৰ লগত যোৱা লগাই দিলে এপিনে খৰচ পৰিমাণ কমি যায়, আনপিনে খেতিৰ উন্নতি সাধনত পৰিমাণে সাহায্য হয়। কাৰণ খেতিৰ লগত পশুনৰ বিশেষ ওচৰা-উচৰি সম্বন্ধ। এনেকুৱা আৰু চাৰিটা ৰংচঙীয়া পদ তুলি দিলে দেশৰ সুশাসনত কোনো ব্যাঘাত নহয় বুলি আমাৰ বিশ্বাস।"

আমি সুখী হৈছোঁ যে মাইকেল কীনেও পুনৰ ব্যয়সঙ্কোচৰ আৱশ্যকতা উপলব্ধি কৰিছে। আমি যিমান দূৰ দেখিছোঁ, আমাৰ ওপৰে প্ৰস্তাৱ কাৰ্য্যত পৰিণত নকৰিলে ভবিষ্যতে বজেট লোৱাৰ যোগ্য দিহা হব নোৱাৰে।

বগা হাতী দেখিবলৈ ভা 'সভা-শুৱনি', কিন্তু তাক পুহোঁতে গিৰিহঁত সৰ্ব্বস্বান্ত হয়। অসমৰ এই দুৰৱস্থাৰ দিনত আমি শ্ৰীহট্টক এইদৰে নিজৰ গাঁঠিৰ ধন ভগন কৰি পুহি থাকিব নোৱাৰোঁ অসমৰ যিখিনি অৰ্থসম্পদ আছে, তাক কেৱল শ্ৰীহট্ট চুচি লৈ অসমত এটি গাঁত স্বৰূপহে (Sink) হৈছে আচলতে দেখা গৈছে, শ্ৰীহট্ট কেৱল অসমত আটাইকৈ জলাহ ঠায়েই নহয়, আৰু ওখ ঠাইবোৰৰ পানীকে টানি এৰা নাই, আমাৰ আৰ্থিক স্বাচ্ছন্দ্য লোপ কৰি অসমীয়াৰ সমাজশৰীৰ ঘূণীয়া কৰি পেলালে। এনেস্থলত এই জিলাৰ লগত অসমৰ আন আন জিলাবোৰে অসমৰ ৰাজহ সম্পৰ্কে কিবা এটি সুবন্দোৱস্ত নকৰিলে আমাৰ উপায় নাই। আমাৰ বোধেৰে আয় অনুপাতহে শ্ৰীহট্টত খৰচ কৰা হব বুলি ৰজাঘৰীয়াসকলে এনেদিহা শীঘ্ৰে কৰা উচিত।

উত্তৰ-পূব সীমান্ত জিলাত ভাৰত গবৰ্ণমেণ্টে যি সৈন্যদল ৰাখিছে, অকল অসমৰ স্বাৰ্থ ৰক্ষাৰ বাবেই নহয়, সমূহ ভাৰতৰ স্বাৰ্থৰ বাবে এই ফৌজৰ ব্যৱস্থা কৰা হৈছে। আমি পূৰ্ব্বে এই কথা আলোচনা কৰোঁতে কৈছিলোঁ যে ন্যায়তঃ ভাৰত গবৰ্ণমেণ্টে এই খৰচ বহন কৰা উচিত। সুখৰ কথা যে এইবাৰ কাউন্সিলত ৰায়বাহাদুৰ শ্ৰীযুত নগেন্দ্ৰনাথ চৌধুৰীয়ে এই মতে প্ৰস্তাৱ গ্ৰহণ কৰিছে।

অসমত কাঁ কৰা কোম্পানীবিলাকৰপৰা পোৱা ইনকম টেক্সৰ ৰখিনি অতি কম নহয়। এইখিনি ন্যায়তঃ অসম গৱৰ্ণমেণ্টেই পোৱা উচিত যদিও ইমান দিনে ভাৰত গৱৰ্ণমেণ্টেই নি আছে। এইখিনি ধন অসমক দিব লাগে বুলি ট ধৰাতো বাজহ মন্ত্ৰীয়ে এই প্ৰস্তাৱ গ্ৰহণ কৰিব নোৱাৰিলে কোৱাৰ আমি বিশেষ কাৰণ দেখা নাই। অসমীবাইজে এই বিষয়ে নীজে টানি নধৰিলে, ভবিষ্যতে ৰে অস্তিত্ব ৰক্ষা পৰ্য্যন্ত অসম্ভৱ হৈ উঠিব পাৰে।

মুঠতে যিমান দুৰ্বা গৈছে, চৰকাৰৰ ধনৰ ভৱাল টনকিয়াল কৰি তুলি নোৱাৰিলে উপায়ান্তৰ নাই। অৱশ্যে বহুত সময়ত ন টেক্স লগাই বাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰাতকৈ, এনেকি টেক্স বহুৱাইও, আকৌ ধাৰলৈ টকা আনি কাঢ়োৰ কৰা হয়; অসম গৱৰ্ণমেণ্টেও এনে নীতিৰ অনুসৰণকৰাৰ ফলত আজি ক্ৰমান্বয়ে ধাৰৰ পৰিমাণ বাঢ়ি গৈছে। কিন্তু টেক্স লগোৱাতকৈও, এনে ধৰণে ধাৰ লোৱাটো যেন্তাসমূহৰ পক্ষপৰা বেছি মাৰাত্মক, তাক দূৰদৰ্শী অগতিকে পাহৰাটো বাঞ্ছনীয় নহয়। অসম গৱৰ্ণমেণ্টে এই কথা পাহৰিলে চলিব কেনেকৈ?

নতুন শাসনপদ্ধতিত অসম

ফেডাৰেল ফাইনেন্স কমিটিয়ে হিচাপ কৰি দেখুৱাইছে যে নতুন শাসন প্ৰবৰ্তন হলে অসমত বছৰি ৬৭ লাখ টকাৰ ঘাটি পৰিব। এই সম্পৰ্কে সিদিনা হেনো চাৰ মাইকেল কীনে সুৰমা উপত্যকাৰ হিন্দু মহাসভাৰ ডেপুটেশ্যন এটাৰ আগত কৈছিল যে অসমে ফেডাৰেল গৱৰ্ণমেণ্টৰ লগত যুঁজিব পৰা ক্ষমতাৰ ওপৰতহে এই ঘাট-টুটতিৰ কথাটো নিৰ্ভৰ কৰিছে। আমিও এই কথা সম্পূৰ্ণৰূপে সমৰ্থন কৰোঁ। আৰু আমাৰ বিশ্বাস যে গৱৰ্ণৰ বাহাদুৰে অসম কথাৰে অসম গৱৰ্ণমেণ্ট আৰু অসমীয়া বাইজ—দুয়োকে বুজাইছে। আচলতে ফেডাৰেল ফাইনেন্স কমিটিৰ বিপোৰ্টত অসমৰ প্ৰতি ঘোৰ অন্যায় কৰা হৈছে, আৰু বেহা বেপাৰ, চাহখেতি, ইনকম টেক্স আদিত অসমক ন্যায্য ভাগ দিয়া হোৱা নাই। কিন্তু আচৰিত কথা এইটোহে যে গৱৰ্ণৰ বাহাদুৰে এইদৰে কোৱা স্বত্বেও বাজহ মন্ত্ৰী মিষ্টাৰ লেইনীয়ে ৰায় বাহাদুৰ শ্ৰীযুত নগেন্দ্ৰনাথ চৌধুৰীৰ এই সম্পৰ্কীয় প্ৰস্তাৱটো গৱৰ্ণমেণ্টে গ্ৰহণ কৰিব নোৱাৰোঁ বুলি মত প্ৰকাশ কৰিলে।



সমালোচনা

অৰ্পণ—পচিশটা কবিতাৰ সমষ্টি। লিখক মৌলবী মফিজুদ্দিন আহমদ, গোৱালপাৰা। বেচ চাৰি আনা।

এই ডেকা লিখকজনৰ সাহিত্যানুৰাগিতাৰ কথা অসমীয়া বাইজে জানে। 'অৰ্পণ' সেই অনুৰাগৰে ফল। যদিও কবিতাবোৰৰ ভাব আৰু ভাষাৰ ফালৰপৰা সম্পূৰ্ণ নিখুঁত বুলিব নোৱাৰি, তথাপি তেওঁৰ ললিত ভঙ্গীৰ ভাষাৰ মাজেদি কবি-প্ৰাণৰ কল্প সুৰবোৰ পাঠকৰ কাণত নপশাকৈ থকা নাই। প্ৰায়বোৰ কবিতাৰ মাজেদিয়েই প্ৰাণৰ এটি মধুৰ আৰু বাসনা-বৰ্জ্জিত অনুভূতিৰ আভাস পোৱা যায়।

গোৱালপাৰাবাসী এই তৰুণ কবিক আমি অসমৰ সাহিত্য সমাজলৈ আহ্বান কৰিছোঁ, আৰু আমাৰ পক্ষৰ পৰা তেওঁক সাদৰ অভিনন্দন জনাইছোঁ।

অৱকাশ-প্ৰবন্ধ—সাতোটি চিন্তামূলক প্ৰবন্ধৰ পুথি। লিখক শ্ৰীযুত কৃষ্ণকান্ত অধিকাৰী, গুৱাহাটী। বেচ ছ আনা।

কিতাপখনিত স্তুতি, অসমভিন্না, ভাষা, বৰ্ণবিজ্ঞান, দৰ্শন, দৈনিক কৰ্ত্তব্য, বেদপ্ৰবন্ধ—এই সাতোটি সুচিন্তামূলক প্ৰবন্ধ আছে, আৰু ঠাৱে ঠাৱে মতানৈক্য থাকিলেও সাধাৰণতঃ ই পাঠক সমাজৰ উপভোগ্য হৈছে। লিখক সংস্কৃত ভাষাত সুপণ্ডিত, আৰু সুনিপুণ আয়ুৰ্ব্বেদী চিকিৎসক। অসমৰ সংস্কৃতজ্ঞ পণ্ডিতসকলৰ, অসমীয়া ভাষা চৰ্চ্চাৰ প্ৰতি সাধাৰণতঃ বিশেষ আগ্ৰহ দেখা নাযায়। শ্ৰীযুত অধিকাৰী মহাশয়ে তেওঁৰ আন আন কিতাপ আৰু "অৱকাশ প্ৰবন্ধ"ৰ সহায়েৰে তেওঁবিলাকৰ মন এই পিনলৈ ঢাল খুৱাব পাৰিলে সুখৰ কথ হব। এই কিতাপ খনিয়ে অসমীয়া পাঠকসকলৰ পৰা যোগ্য সমাদৰ পোৱা উচিত। "অৱকাশ প্ৰবন্ধ" পঢ়ি আমি ভাল পাইছোঁ।

স্বাস্থ্য-পাঠ—লিখক শ্ৰীযুত গিৰিনাথ ডেকা, জালাহ, কামৰূপ। প্ৰথম তাঙৰণ ১৯২৬ চন। বেচ দহ আনা। ইংৰাজী "হেল্থ ৰিডাৰ" আৰু অন্যান্য স্বাস্থ্য সম্পৰ্কীয় কিতাপৰ সাহায্য লৈ এই স্বাস্থ্যপাঠখনি লিখা হৈছে। আমাৰ অতি কম সংখ্যক স্বাস্থ্যপুথিহে প্ৰচলিত থকাত বহুত সময়ত শিক্ষাৰ্থীসকলৰ আৱশ্যকতাৰ ফালে নোচোৱা-কৈয়ে যেই সেই কিতাপকে পাঠ্য পুথি নিৰ্ব্বাচিত কৰা হয়। লিখকে নিশ্চয় অসমীয়া সাহিত্যৰ এই অভাৱ পুৰাবলৈকেই এই পুথিখনি লিখিছে। আমাৰ মতে পুথিখনি ভালেই হৈছে। প্ৰৱন্ধৰ লগে লগে দুই চাৰিটা ছবি থকাহেঁতেন আৰু ভাল আছিল। কিতাপৰ ছপা, কাকত আৰু আকাৰলৈ চাই দাম অলপ বেছি বেছি লাগিছে।

জেউতি—ষষ্ঠ বছৰ, ৩য় সংখ্যা। যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰপৰা ওলোৱা তিনিমহীয়া আলোচনী। মুটীয়া সম্পাদক শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা আৰু শ্ৰীযুত প্ৰভানাথ ভট্টাচাৰ্য্য।

এইখনি আলোচনীত অসমীয়া আৰু ইংৰাজী দুটি ভাগ আছে। আৰু দুয়ো ভাগতে কেইটিমান বিতোপন প্ৰবন্ধ থকাত ই নিশ্চয় পাঠক সমাজক তৃপ্তি দিব পাৰিব। অসমীয়া ছোৱাৰ "বৰাহ মিহিৰ", "চৰাই দেও", "যুবজী পঢ়াৰ সাৰ্থকতা", "অসমীয়া নৃত্য গীত আৰু নাট্য সমাজ", আৰু ইংৰাজী ছোৱাৰ "সংস্কৃত আৰু পাছোঁক ভিত্তি কৰি আৰ্য্য ভাষা সমষ্টিৰ তুলনামূলক গবেষণা," "ঈজিপ্টৰ সভ্যতা", "ভাৰতৰ সৰ্ব্বশ্ৰেষ্ঠ গণিতজ্ঞ" আদি প্ৰবন্ধ বৰ উপভোগ্য হৈছে। স্কুলৰ ছাত্ৰসম্প্ৰদায়ৰ মাজত এই আলোচনীখনিৰ সহায়েৰে সাহিত্য চৰ্চ্চাৰ সুযোগ দিয়াত আমি কৰ্ত্তৃপক্ষৰ শলাগ লৈছোঁ।

তৰুণ—বসন্ত সংখ্যা। ডিব্রুগড় গৱর্ণমেণ্ট হাইস্কুলৰ পৰা প্রকাশিত আলোচনী। যুটীয়া সম্পাদক শ্রীযুক্ত দুলালচন্দ্র বৰঠাকুৰ, শ্রীযুত শশীকান্ত শর্ম্মা আৰু বাবু সতীশচন্দ্র গাঙুলী।

ছাত্রসকলৰ সাহিত্যানুৰাগিতা দেখি আমি বং পাইছোঁ। কিন্তু অসমীয়া স্কুল এখনৰ ছাত্র-আলোচনীত বঙ্গালী ভাগ এটি সৃষ্টি কৰা হৈছে কিয়, আমি বুজিব পৰা নাই। ১৯২৭-২৮ চনত কটন কলেজত বঙ্গালী ছাত্রসকলৰ এই অন্যায় প্রস্তাৱ গ্রহণ কৰিবলৈ সমূহ অসমীয়া ছাত্রসম্প্রদায় সম্মত নহ'ল, আৰু এই বিষয়ে গণ্ডগোল লাগিয়েই ওৱাহাটী কলেজিয়েট স্কুলৰ আলোচনীখনিও ১৯২৮ চনতে বন্ধ হ'ল। তেনে স্থলত ডিব্রুগড় গৱর্ণমেণ্ট হাইস্কুলৰ কর্ত্তৃপক্ষই কিয় অনাৱশ্যকৰূপে বঙ্গালী ছোৱা এটি তেওঁলোকৰ আলোচনীত সুমাইছে, তাক আমি ভাবি নাপাওঁ। কোনো অনা-অসমীয়া ছাত্রই যদি অসমীয়া বুজি নাপায় বা লিখিব নোৱাৰে, তেওঁলোকৰ বাবে তো ইংৰাজী ছোৱাটো আছেই। আমি আশা কৰিছোঁ, এই ছোৱাটো সোনকালে উঠাই দিয়া হব।

প্রাপ্তি স্বীকাৰ

শ্রীযুত মহাদেৱ শর্ম্মা ডাঙৰীয়াৰ এই নতুন বছৰৰ ১ম সংখ্যা 'অৰুণ' আৰু শ্রীযুত পদ্মধৰ চলিহা এম-এ, বি-এল আৰু শ্রীযুত তাৰকচন্দ্র শর্ম্মা সম্পাদিত 'গল্পমালা' সমালোচনাৰ বাবে পোৱা হৈছে।

৫২৮০/অ:

'আৱাহন'ৰ গ্রাহকসকললৈ নিবেদন—

চতুর্থ বছৰৰ প্রথম সংখ্যা 'আৱাহন' বিশেষ জাকজমকেৰে উলিয়াবলৈ যো-যা চলিছে, আৰু যথাসময়ত ই সদাশয় গ্রাহক-গ্রাহিকাসকলৰ হাতত পৰিব গৈ। যিসকল পুৱণি গ্রাহকে চতুর্থ বছৰত কাকত লব নোখোজে, আমাৰ সবিৰ্ব্বন্ধ অনুৰোধ, তেওঁলোকে অনাহকতে আমাৰ ভৱণি নকৰি যেন এই সংখ্যা কাকত পোৱাৰ লগে লগেই আমাক চিঠিৰে জনাই বাধিত কৰে। কাৰোপৰা চিঠি নাপালে, তেওঁলোক নতুন বছৰতো গ্রাহক থাকিব বুলি ধৰি লৈ প্রথম সংখ্যা পঠোৱা হব।

নিবেদক—
শ্রীদীননাথ শর্ম্মা
সম্পাদক, "আৱাহন"